রেজবকরা গ্রন্থাবলী

প্রথম খণ্ড

ORATE OF

বেজবৰুৱা-গ্ৰন্থাৱলী

প্ৰথম খণ্ড

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা

সাহিত্য-প্ৰকাশ
ট্ৰিবিউন বিল্ডিংচ
গুৱাহাটী-৩

BEZBAROA GRANTHAVALEE (VOL-I)

Complete works of Sahityarathi Lakshminath Bezbaroa, Published by Sahitya-Prakash, Tribune Buildings, Guwahati-781003 and Printed at the Tribune Press, Guwahati-781003. Price Rs. 300·00 (Rupees Three hundred) for Two Volumes.

• প্ৰকাশক :
সাহিত্য-প্ৰকাশ ।। ট্ৰিবিউন বিল্ডিংছ ।।
গুৱাহাটী—৭৮১০০৩

• প্ৰথম প্ৰকাশ : ৫ অক্টোবৰ, ১৯৬৮ খ্ৰীঃ
• দ্বিতীয় প্ৰকাশ : ফেব্ৰুৱাৰী, ১৯৮৮ খ্ৰীঃ

• মূল্য ।। ৩০০'০০ টকা (তিনিশ) দুয়ো খণ্ডৰ বাবে

• প্ৰচ্ছদপট অংকন :
ত্ৰৈলোক্য দত্ত

• মুদ্ৰক :
ট্ৰিবিউন প্ৰেছ ।। গুৱাহাটী—৭৮১০০৩

জোৰাণ

অৰুণোদয়ৰ চিমিক-চামাক পোহৰত আধুনিক অসমীয়া ভাষা-সাহিত্যৰ জন্ম হৈছিল যদিও ৰাহু, কেতু, শনি আদি কুগ্ৰহ কেইটাৰ প্ৰভাৱ পৰাৰ কাৰণে ই বহু দিনলৈ ঠিহিৰা মাৰি থাকিবলগীয়া হৈছিল। স্বনামধন্য আনন্দৰাম ঢেকিয়াল ফুকন আৰু হেম-গুণাভিৰ দিনত ই চেৰাশালিতে আছিল বুলি কলে মিছা কোৱা নহয়। সেই সময়ত স্বাধীনতা স্যমন্তক মণি হেৰুৱাই লেলাই-খেলাই জীয়াই থকা চৈতন্যহীন অসমীয়া জাতিক চৈতন্যৰ সংস্কৃতিয়ে গিলি পেলাবৰ উপক্ৰম কৰিছিল। তেনে এটি ছেগ পাই নৱজাত সাহিত্য-শিশুটি বিনাশ কৰিবলৈ বঙ্গীয় অধ-বক-পুতনাই কিমান যে কূট-কৌশলৰ জাল পেলাইছিল তাৰ আভাস এই গ্ৰন্থাৱলীৰ ভিতৰতে পোৱা যাব।

সৌভাগ্যৰ বিষয় জোনাকী যুগৰ পোহৰ পূৰঠ হৈ অহাৰ লগে লগে কুচক্ৰীবিলাকৰ সকলো প্ৰকাৰ অপচেষ্টাৰ মুদা মৰি আহিবলৈ ধৰিলে আৰু ক্ৰমাৎ কষ্ট গ্ৰহবিলাক তুষ্ট হৈ আঁতৰি যাবলৈ বাধ্য হল। চমু কথাত কবলৈ হলে অসমীয়া ভাষা-সাহিত্য 'জোনাকী যুগ' আৰু 'বাঁহী যুগ'তে গজগজীয়া হৈ সুদৃঢ় ভেটিত প্ৰতিষ্ঠিত হল বুলি কব পৰা যায়। যিসকল সাহিত্যিক ধনুৰ্দ্ধৰে হাতত কাৰ্কাই ধনুকাঁৰ লৈ বাহিৰৰ আক্ৰমণ আৰু ভিতৰৰ অপায়-অমঙ্গলৰ পৰা ভাষা-সাহিত্যক ৰক্ষা কৰিছিল সেইসকলৰ ভিতৰত আগৰণুৱা আছিল লক্ষ্মীনাথ, চন্দ্ৰকুমাৰ, হেমচন্দ্ৰ, সত্যনাথ, ৰজনীকান্ত, পদ্মনাথ, বেণুধৰ, আনন্দচন্দ্ৰ, লক্ষ্মীৰাম প্ৰভৃতি সাহিত্য-সাধকসকল। এইসকলৰ ওচৰত অসমীয়া জাতি চিৰকৃতজ্ঞ। এই ধনুৰ্দ্ধৰসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা আছিল মহাসেনাপতি বা অগ্ৰগণী পুৰুষ। অসমীয়া ভাষা-সাহিত্য আৰু শঙ্কৰী ধৰ্মৰ ওপৰত ওপৰা-উপৰিকৈ যিবোৰ আক্ৰমণ চলিছিল লক্ষ্মীনাথে সেই সকলোবোৰ আক্ৰমণ সিংহবিক্ৰমেৰে ওফৰাই পেলাইছিল। প্ৰতিখন ৰণতে জয়লাভ কৰি তেওঁ অসমীয়াৰ ন্যায্য দাবী দৃঢ়তাৰে সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল। সমসাময়িক আন সকলোবিলাক সাহিত্যিক নেতাই মহাসেনাপতি লক্ষ্মীনাথৰ বলিষ্ঠ নেতৃত্ব মানি লৈছিল। বিশেষকৈ ভাষা-সাহিত্যৰ থৈয়ামথৈয়া ৰণত দিগ্বিজয়ী হোৱাৰ বাবেই লক্ষ্মীনাথক আজি দেশবাসীয়ে সাহিত্যৰথী আখ্যাৰে বিভূষিত কৰিছে। শতবাৰ্ষিকী উৎসৱ উপলক্ষে আমিও সেই মহান পুৰুষ-সিংহৰ স্মৃতিত ভক্তিৰে মূৰ দোঁৱাইছোঁ।

বেজবৰুৱা আৰু তেওঁৰ সতীৰ্থসকলক সম্যকভাৱে জানিবলৈ হলে তেওঁলোক কি পৰিস্থিতিৰ মাজত ডাঙৰ-দীঘল হৈছিল আৰু কেনে বিজতীয়া শিক্ষা-সংস্কৃতিৰ মাজত তেওঁলোকে জীৱনৰ আগছোৱা অতিবাহিত কৰিবলগীয়া হৈছিল সেই কথা জনাটো আৱশ্যক। লক্ষ্মীনাথ প্ৰমুখ্যে আধুনিক অসমীয়া সাহিত্য গঢ়োঁতাসকলে পঢ়াশালিত বঙলা ভাষাৰে পাঠ লবলগীয়া হৈছিল। সেইসকলৰ দিনত দেশৰ স্কুল-কলেজত অসমীয়া ভাষা-সাহিত্য ন্যায্য স্থানত প্ৰতিষ্ঠিত হোৱা নাছিল। আজিৰ ছাত্ৰৰ দৰে তেতিয়া কলেজত (অসমতে কলেজ নাছিলেই) অসমীয়া ভাষা-সাহিত্য বৈজ্ঞানিক পদ্ধতিৰে অধ্যয়ন কৰিবলৈ বিচৰাটো পৰ্য্যন্ত কাৰুকৰ্ণ ৰ শিচিলা আছিল। তেনে এটা আহকলীয়া পৰিৱেশৰ মাজতে অসমীয়া ভাষা-সাহিত্যৰ আচল মুখৰ

সেইখাৰেসে লক্ষ্মীনাথে পাশ্চাত্যীয়া আৰু কলেজীয়া শিক্ষা লাভ কৰিছিল যদিও পিছত বংগৰ প্ৰভাৱ, স্বকীয় প্ৰতিভা আৰু জীৱনব্যাপী সাধনাৰ ফলত অসমীয়া সাহিত্যৰ অধিনায়ক হিচাপে তেওঁ আমাৰ নমস্য পুৰুষ হ'ল।

এইখিনিতে সাহিত্য-বুৰঞ্জীবিদ ডঃ শ্ৰীমহেশ্বৰ নেওগৰ ভাষাৰে কৈছোঁ : "সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়া আধুনিক অসমীয়া সাহিত্যৰ ৰোমাণ্টিক স্তৰটোৰ এজন প্ৰৱৰ্ত্তকেই মাত্ৰ নহয়, তেওঁৰ ব্যক্তিত্বই আৰু সাহিত্য-প্ৰচেষ্টাই মূলমূলভাবে ১৮৯০ৰ পৰা ১৯৩০লৈকে, এই চাৰিটা দশকক, নব-বৈষ্ণৱ সাহিত্যক শঙ্কৰদেৱৰ জীৱন আৰু ৰচনাই দিয়াৰ দৰে এক উজ্জ্বল ঐক্য প্ৰদান কৰিছিল। সেই বাবেই বৈষ্ণৱ যুগটো শঙ্কৰদেৱৰ যুগ আৰু এই চল্লিশবছৰীয়া আধুনিক সাহিত্যৰ যুগটো বেজবৰুৱাৰ যুগ। অসমীয়া সাহিত্যত এই দুটি বিশেষ কালৰ বাহিৰে আন সমন্বোধক ব্যক্তিৰ নামেৰে চিনাকি দিবলৈ টান, কাৰণ কোনো এজন কবি-সাহিত্যিকেই কোনো এডোখৰ কালৰ অবিসম্বাদী কেন্দ্ৰ-ৰূপে অৱস্থিত হোৱা নাই। শঙ্কৰদেৱৰ চৰিত জানিলে যেনেকৈ বৈষ্ণৱ সাহিত্যৰ বুৰঞ্জীৰ প্ৰাণটোৰ লগত আমাৰ পৰিচয় ঘটে, তেনেকৈ অসমীয়া নৱন্যাস সাহিত্যৰ পৃষ্ঠভূমিৰূপে বেজবৰুৱাৰ জীৱনীও স্পষ্টৰূপ দিব পাৰে।"

যোৰহাটত বহা প্ৰথম সাহিত্য সভাৰ অধিবেশনৰ আদৰণি সভাৰ সভাপতিৰ অভি-ভাষণত জোনাকী যুগৰ অন্যতম জ্যোতিষ্ক ৺চন্দ্ৰকুমাৰ... ৺বাধানাথ ফুকন ডাঙৰীয়াই উৰলি যোৱা সেই দিনৰ ফটফটীয়া ছবিখন আঁকি থৈ গৈছে এইদৰে : "জগতৰ ইতিহাসত চাব, ৰজাঘৰৰ পৰা উৎসাহ আৰু সহায় নোপোৱাকৈ কোনো দেশৰ সাহিত্যৰ উন্নতি হোৱা নাছিল। আমাক বিদেশী ইংৰাজ ৰজাই সহায় যে নকৰিলেই, বৰং আমাৰ ভাষাৰ বিদ্বেষ কৰিলে। প্ৰথম আহিয়েই তেওঁবিলাকে বুজিলে যে অসমীয়া জাতি জাতি নহয়, অসমীয়া ভাষা ভাষা নহয়, এইদৰেই তেওঁলোকক বুজালে। তেওঁবিলাকে বুজিলে যে অসমীয়া ভাষা বঙলা ভাষাৰ অপভ্ৰংশ। এই বিষয়ে তেওঁলোকৰ প্ৰধান যুক্তি হ'ল যে এতিয়াও ৰংপুৰ, কোচবিহাৰ আদি পূৰ্ববঙ্গৰ মানুহে বঙলা ভাষা কয়। এইটো সচা কথা যে এইবোৰ মানুহে বিকৃত অসমীয়া বা ভঙা ভঙা অসমীয়া কথাকে কয়। কিন্তু মিছেই সময়ত বিদেশী ৰজাক বুজাব নোৱাৰিলোঁ যে অতীতত পূৰ্ব্ব-বঙ্গৰ বহুতখিনি ঠাই প্ৰাচীন বিশাল সমৃদ্ধিশালী কামৰূপ ৰাজ্যৰ অন্তৰ্গত আছিল আৰু সকলোৱে কামৰূপৰ ভাষাকেহে কৈছিল আৰু এতিয়াও তাকে কৈ আছে। প্ৰাচীন কামৰূপ ৰাজ্যৰ গৌৰৱৰ কথা তেতিয়াও তেওঁবিলাকে জনা নাছিল। এই কথাটো জানিবলৈ তেওঁবিলাকৰ এশ বছৰ লাগিল আৰু যেতিয়া জানিলে তেতিয়া তেওঁবিলাকৰ বাবৰে হ'ল। এই কথাটো নজনাৰ বাবেই, তেওঁবিলাকে আমাৰ বিৰুদ্ধে যি যিহকে কৈছিল তাকে মানি লৈছিল। এজন উচ্চ-পদস্থ বিদেশী বিষয়াই— 'The Mahapurushiya Sect in Assam' নামেৰে এখন কিতাপ লিখিছিল। তাত মহাপুৰুষ শঙ্কৰদেৱৰ কথা যেনেকৈ লিখিছিল শুনিলে কাণত আঙুলি দিব লাগে। তেওঁ শেষত মত দিলে,—নিশ্চয় বঙ্গদেশৰ শ্ৰীচৈতন্যদেৱৰ কথাবোৰ আনি শ্ৰীশঙ্কৰদেৱে অসমত প্ৰচাৰ কৰিলেহি, নহলে অসমীয়া হৈ তেওঁ কেনেকৈ এনে বিশুদ্ধ ধৰ্ম্ম প্ৰচাৰ কৰিব পাৰে। ইংৰাজ গৱৰ্ণমেণ্টে এই অশ্ৰাব্য কথাটো বিশ্বাস কৰিলে। ১৮৯১ চনৰ চেন্সচ্ ৰিপোৰ্টত এইদৰেই লিখিলে। অতি দুখৰ বিষয় যে ১৮৯১ চনৰ চেন্সচ্ ৰিপোৰ্টখন অসমৰ বুৰঞ্জী-লিখক গেইট চাহাবৰ লিখা। সেই সময়ত তেওঁৰ নিশ্চয় এনে মত আছিল। পোনেই বিলাতৰ পৰা আহি তেওঁ এই বিশ্বাসেৰেই কাম আৰম্ভ কৰিছিল। কুৰি বছৰৰ পিছত ছাৰ এডুৱাৰ্ড গেইটে তেওঁৰ ভুলটো বুজিলে আৰু তাক সংশোধন কৰি দুখ প্ৰকাশ কৰিলে। তেওঁ যেতিয়া গোটেই ভাৰতবৰ্ষৰ চেন্সচ্ কৰিছিলাহাঁত তেতিয়া তেওঁৰ অনুমতি মতেই অসমৰ গৱৰ্ণমেণ্টে

এই মহা ভুলটো শুধৰালে। ভাষা সম্পৰ্কেও আদিতে তেওঁৰে সেই ভুলেই আছিল। ইংৰাজ ৰজাৰ দৰেই তেওঁ নিশ্চয় ভাবিছিল যে আমাৰ ভাষাটো এটা দোৱান। ইংৰাজ গৱৰ্ণমেণ্টে বোধকৰোঁ ধৰি ললে যে অসমীয়াৰ এই দোৱানৰ ঠাইত বঙলা ভাষা চলাব পাৰিলে দেশৰ এটা মহৎ উপকাৰ কৰা হ'ব। এনে ভাবিয়েই তেওঁবিলাকে অসমীয়া ভাষা একেবাৰে তুলি দিলে। বিচাৰালয়, স্কুল-পঢ়াশালি সকলো ঠাইতে বঙলা ভাষা, বঙালী বিচাৰক আৰু বঙালী শিক্ষক হ'ল। ১৮৩৫ চনৰ পৰা ১৮৭২।৭৪ চনলৈকে এইদৰে চলিল। আমাৰ দুই এজন মানুহে আৰু পাদুৰী চাহাবসকলে মিছাতে প্ৰতিবাদ কৰিলে—অৰণ্যত ৰোদন কৰিলে। ইংৰাজ গৱৰ্ণমেণ্টে কাণ নিদিলে। ১৮৭২-৭৪ চনত অসমীয়া ভাষা গাঁৱলীয়া পঢ়াশালি আৰু আদালতত চলাবলৈ হুকুম হ'ল হয়, কিন্তু অৱস্থাৰ একো পৰিবৰ্ত্তন নহল।

"মোৰ বিণিকি বিণিকি মনত পৰে যে প্ৰায় এই সময়তে মই প্ৰথম স্কুললৈ গৈযেই বঙলা ভাষা আৰম্ভ কৰোঁ। আমাৰ মাষ্টৰ বঙালী, কিতাপ বঙলা, কথাও কওঁ বঙলা। মই এনে কথা কোৱা নাই যে বঙলা পঢ়া বাবে মোৰ বিশেষ ক্ষতি হ'ল। আধুনিক বঙ্গভাষা প্ৰাচীন নহলেও অতি উন্নত ভাষা; পঢ়িলে লাভ আছে। এই ভাষা জানি মোৰ উপকাৰহে হ'ল। কিন্তু আমাৰ বিশেষ ক্ষতি এই বাবে হ'ল যে স্কুলত আৰু বাহিৰতো সদায় আমি শুনি আছিলোঁ যে আমাৰ ভাষা ভাষা নহয়; ই বঙলাৰ অপভ্ৰংশ। আমি এটা স্বকীয়া জাতি নহওঁ—আমি আগৰ বঙ্গদেশৰ পৰা ভাগি অহা নিকৃষ্ট বঙালী—আমাৰ সকলো কথাই বেয়া। এইবোৰ কথা এইদৰে শুনি শুনি আমাৰ বিশ্বাসো হৈছিল যে সঁচাকৈয়ে আমি অসমীয়া ভুতেইহে। এনে অৱস্থাত স্কুলৰ শিক্ষা কেনে হ'ব পাৰে এবাৰ ভাবি চাওক। সদায় অসমীয়া জাতি আৰু অসমীয়া ভাষাৰ নিন্দা শুনি শুনি আৰু শেহত তাকে বিশ্বাস কৰি আমাৰ আত্মগৌৰৱ বুলি এটা ভাব নাইকিয়া হৈছিল। পঢ়া-শুনাও তেনেই হৈছিল। ১৮৩৫ চনত অসমত জিলা স্কুলবোৰ (আজিকালি হাইস্কুল বোলে) স্থাপিত হৈছিল। ইয়াৰ পিছত ১৮৯৭ চনলৈকে, এই তিনিকুৰি বছৰেও আমাৰ দেশত এজন এম-এ পাছ কৰা মানুহ নাছিল। বিশ্ববিদ্যালয়ত উচ্চ স্থান অধিকাৰ কৰাৰ যে আমাৰ শক্তি আছে এনে ভাব আমাৰ মনলৈ নাহিছিল। কিয় এনে অৱস্থা হৈছিল আপোনা-সকলক বুজোৱা টান। মোৰ কথা বিশ্বাস কৰক যে আমাৰ স্কুলৰ শিক্ষা অতি বেয়া আছিল। আমি কলিকতালৈ গৈহে বুজিলোঁ যে সকতে আমাৰ আচলতে কুশিক্ষাহে আছিল। আমাৰ প্ৰধান অভাৱ আছিল আত্মগৌৰৱ—নিজৰ ওপৰত বিশ্বাস। আমাৰ ভাষাক আমি নিজেই অৱজ্ঞা কৰিছিলো। কলিকতাত আমাৰ বহুত ভাল ভাল লৰা ফেইল হৈছিল—আমাৰ দোষত নহয়, আমাৰ বাল্যকালৰ শিক্ষাৰ দোষত। নিতৌ স্কুললৈ গৈ যদি কিতাপ পঢ়াৰ পৰিবৰ্ত্তে অসমীয়া জাতি আৰু অসমীয়া ভাষাৰ বিষয়ে নিন্দা শুনিব লাগে, তেন্তে পঢ়াশুনা কেনে হ'ব তাক আপোনালোকে নিজেই ভাবি চাওক। আমাৰ অমনোযোগী শাসনকৰ্ত্তাসকলৰ দোষত বা ভুলত আমাৰ শিক্ষা এশবছৰ পাছু পৰিল। ইংলণ্ডৰ এই কলঙ্ক, এনে কুশাসনৰ দৃষ্টান্ত ভাৰতবৰ্ষৰ বুৰঞ্জীত নহলেও অসমৰ বুৰঞ্জীত বৈ গ'ল। এটা জাতিৰ চূড়ান্ত অধঃপতন হবলৈ যেনে হ'ব লাগে আমাৰো ঠিক তেনেই হৈছিল। আমাৰ বহুতে বিশ্বাস কৰিছিল আৰু কৈ ফুৰিছিল যে অসমীয়া ভাষা বঙলাৰ অপভ্ৰংশ। কবলৈ লাজ লাগে যে ইংৰাজ গৱৰ্ণমেণ্টলৈ কেইবা ঠাইৰ পৰা আমাৰ মানুহৰ চহীৰেই আবেদন-পত্ৰ গৈছিল যে স্কুলত অসমীয়া চলিব নেলাগে; চলিলে দেশৰ অমঙ্গল হ'ব। এয়ে জাতীয় অধঃপতনৰ শেষ সীমা নহয় নে?

"ঠিক এনে সময়তে, সম্ভৱতঃ ১৮৮৬ চনত, এদিন শুভ ক্ষণত কলিকতাৰ এটি সৰু মেচৰ এখন চাহ-খোৱা মেজত দুজনমান অসমীয়া ছাত্ৰৰ মনত খেলালে যে যদি আমাৰ জাতীয়

ৰক্ষা কৰিব লাগে, তেন্তে প্ৰথমতে আমি আমাৰ ভাষাটোক বিদেশী আক্ৰমণৰ পৰা ৰক্ষা কৰিব লাগিব। তেওঁবিলাকে তাৰ পিছু দিনাই অ-ভা-উ-সা নাম দি এখন সভাৰ প্ৰতিষ্ঠা কৰে।"

তাহানিৰ সেই অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাই অসমীয়া ভাষা-সাহিত্যৰ উন্নতি আৰু উন্নয়নৰ কাৰণে যি মহৎ ভূমিকা গ্ৰহণ কৰিছিল সেই কথা দোহাৰিবৰ সকাম নাই। লক্ষ্মীনাথ প্ৰমুখ্যে সেই সভাৰ সদস্য, কলিকতাত পঢ়িবলৈ যোৱা এমুঠি অসমীয়া ছাত্ৰৰে কিদৰে অসমীয়া ভাষা-সাহিত্যক সঞ্জীৱনী-সুধা পান কৰাইছিল আৰু মনত দুৰ্জ্জয় সঙ্কল্প লৈ চিৰচেনেহী ভাষা-জননীৰ একাগ্ৰপ্ৰতীয়া সাধক হৈছিল, সেইবোৰ কথা ভাবিলেও পুণ্য হয়। সেই অ-ভা-উ-সাই হাতত পাণ্ডপাত অস্ত্ৰ হিচাপে তুলি লৈছিল 'জোনাকী' কাকতখন—যিখন কাকতে আধুনিক অসমীয়া সাহিত্যৰ দিগ্‌দৰ্শন আৰু পথপ্ৰদৰ্শন কৰি গঢ়িছিল এটা নতুন যুগ—বিখ্যাত 'জোনাকী যুগ'।

জোনাকী যুগত আৰু তাৰ পিছতো লক্ষ্মীনাথ প্ৰভৃতিৰ জীৱন কালত অসমীয়া কিতাপ আৰু আলোচনীৰ পৰিসৰ নিচেই ঠেক আছিল। অসমীয়া শিক্ষিত মানুহৰ সংখ্যা তাকৰ আছিল আৰু তাতকৈও তাকৰ আছিল অসমীয়া কিতাপ-আলোচনী কিনি পঢ়োঁতা পঢ়ুৱৈৰ সংখ্যা। তেতিয়া জোনাকী কাকতৰ বছেৰেকীয়া মূল্য আছিল টকা এটা আৰু সেই টকাটো দি কাকত এখন লবলৈকো মানুহে এৰাইছিল। বেজবৰুৱাৰ 'বাঁহী' আৰু আন আন আলোচনীয়েও খাইকৈ ত্যাগ আৰু দেশপ্ৰেমকে মূলধন কৰি লৈ কোনোমতে জীৱনধাৰণ কৰিছিল। সেই কাৰণেই চন্দ্ৰকুমাৰে "অসমত বাতৰি-কাকতৰ জীৱন কচুপাতৰ পানীটুপিৰ দৰে" বুলি দুখ কৰি কবলগীয়া হৈছিল। লক্ষ্মীনাথ বেজবৰুৱাইও পুথি প্ৰকাশ কৰি নাইবা আলোচনী চলাই ধন ঘটা বা নাম-যশ অৰ্জ্জা কথাটো নিশ্চয় ভবা নাছিল।

লক্ষ্মীনাথে তেওঁৰ জীৱন কালত নিজে প্ৰকাশ কৰি যোৱা কিতাপৰ তালিকা তলত দিয়া হ'ল।

(১) লিতিকাই (১৮৮৯-৯০ চনৰ জোনাকীত প্ৰকাশিত) ১৯০১ চনত কিতাপ আকাৰত ওলায়;
(২) কামত কৃতিত্ব লভিবৰ সঙ্কেত, ১৯০৩ চন
(৩) কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা, ১৯০৪ চন
(৪) পদুমকুঁৱৰী (উপন্যাস), ১৯০৫ চন
(৫) কৃপাবৰ বৰুৱাৰ ওভতনি, ১৯০৯ চন
(৬) ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱনচৰিত, ১৯০৯ চন
(৭) সুৰভি (চুটি গল্প), ১৯০৯ চন
(৮) সাধুকথাৰ কুকি (চুটি গল্প) ১৯১০ চন
(৯) শঙ্কৰদেৱ, ১৯১১ চন
(১০) বুঢ়ী-আইৰ সাধু ১৯১২ চন
(১১) জোনবিৰি (চুটি গল্প) ১৯১৩ চন
(১২) ককাদেউতা আৰু নাতি-লৰা ১৯১৩
(১৩) জুনুকা (সাধু) ১৯১৩ চন
(১৪) কদমকলি (কবিতা) ১৯১৩ চন
(১৫) নোমল (ধেমেলীয়া নাট) ১৯১৩ চন
(১৬) পাচনি (ধেমেলীয়া নাট) ১৯১৩ চন
(১৭) চিকৰপতি আৰু নিকৰপতি (ধেমেলীয়া নাট) ১৯১৩ চন
(১৮) শঙ্কৰদেৱ আৰু মাধৱদেৱ (জীৱনী) ১৯১৪ চন
(১৯) বাধৰ, ১৯১৫ চন

(২০) ভগৱৎ কথা, ১৯১৫ চন
(২১) জয়মতীকুঁৱৰী (নাট) ১৯১৫ চন
(২২) চক্ৰধ্বজসিংহ (নাট) ১৯১৫ চন
(২৩) বেলিমাৰ (নাট) ১৯১৫ চন
(২৪) ভাৰতবৰ্ষৰ বুৰঞ্জী (ই-মাৰ্ছডেনৰ অনুবাদ) ১৯০৬ চন
(২৫) History of Vaishnavism in India and Rasa Lila of Srikrishna. (বৰোদা বক্তৃতা), ১৯৩৪ চন

মৰণোত্তৰ প্ৰকাশ :

(২৬) মোৰ জীৱন-সোঁৱৰণ (মাধৱচন্দ্ৰ বেজবৰুৱা সংগৃহীত) ১৯৪৪ চন
শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা সঙ্কলিত হৈ পৰিবৰ্দ্ধিত নতুন সংস্কৰণ, ১৯৬৩ চন
(২৭) কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰবুৰণি (ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু ডঃ সত্যেন্দ্ৰনাথ শৰ্মা সংগৃহীত আৰু সম্পাদিত) ১৯৫১ চন
(২৮) তত্ত্বকথা (শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সংগৃহীত আৰু সম্পাদিত) ১৯৬৩ চন
(২৯) বৰবৰুৱাৰ বুলনি (শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সংগৃহীত আৰু সম্পাদিত) ১৯৬৪ চন

বেজবৰুৱাই তেওঁৰ জীৱনকালত পঢ়ুৱৈ সমাজৰ পৰা উপযুক্ত সঁহাৰি নেপাই ১৯১৫ চনৰ পিছত কিতাপ ছপোৱা কথাটো একেবাৰে বাদ দিছিল যদিও মৃত্যুৰ আগলৈকে তেওঁ হাতৰ পৰা সোণবৰণীয়া কাপ নমাই থোৱা নাছিল। সুকীয়াকৈ কিতাপ হিচাপে একো লিখি থৈ যোৱা নাছিল যদিও এই কালছোৱাতে লক্ষ্মীনাথৰ সাহিত্যিক জীৱনৰ ভৰপক হৈছিল। লক্ষ্মীনাথে 'বাঁহী'ৰ পাতত কৱিতা, গল্প, নাট, ধৰ্ম্মমূলক আলোচনা, কাহিনী-খাৰলি প্ৰভৃতি নানা তৰহৰ উপাদেয় ৰচনাৰ মেটমৰা ভাৰ এৰি থৈ গৈছিল। তাৰে মাজৰ পৰা ওপৰত নাম দিয়া খনচেৰেক গ্ৰন্থ মৰণোত্তৰ প্ৰকাশ হৈছে যদিও এতিয়াও কিতাপৰ আকাৰত প্ৰকাশৰ মুখ নেদেখা ৰচনাৰ গন্ধমাদন পৰ্ব্বত এটা আলোচনীৰ পাততে থিয় হৈ আছে। সুখৰ বিষয় বৰ্ত্তমানে অসমীয়া ভাষা-সাহিত্যৰ দিন ফৰকাল হৈ আহিছে। পঢ়ুৱৈ সমাজৰ আগ্ৰহো বহু গুণে বাঢ়িছে। স্কুল-কলেজ আৰু শিক্ষিত মানুহৰ সংখ্যা বঢ়াৰ লগে লগে বেজবৰুৱাৰ ৰচনাৱলীৰ প্ৰতি দেশৰ মানুহৰ মন বিশেষভাৱে আকৰ্ষিত হোৱা যেন দেখা গৈছে। আজিৰ সাহিত্যিকসকলে অনুভৱ কৰিছে যে বেজবৰুৱাৰ সেই সাহিত্যৰ গন্ধমাদন পৰ্ব্বতৰ মাজত বিশল্য-কৰণি আছে। সেই কাৰণেই আজি এই বেজবৰুৱা গ্ৰন্থাৱলী ওলোৱাটো সম্ভৱপৰ হৈছে। বেজবৰুৱাৰ প্ৰকাশিত সকলো গ্ৰন্থ (দুখন স্কুলীয়া লৰাৰ বাবে কৰা অনুবাদ পুথিৰ বাহিৰে) আৰু আলোচনীৰ পাতত সিঁচৰতি হৈ থকা বিভিন্ন ৰচনা দুটা খণ্ডত ভাগে ভাগে সজাই ৰাইজৰ আগলৈ আগবঢ়োৱা হ'ল। তলত নাম দিয়া বেজবৰুৱাৰ কিতাপবোৰ এই গ্ৰন্থাৱলীত নকৈ অন্তৰ্ভুক্ত কৰা হৈছে। এই গ্ৰন্থবোৰৰ নামকৰণ কৰা হৈছে মূল বিষয়বস্তুৰ লগত সামঞ্জস্য ৰাখি।

নতুন কিতাপবোৰ হৈছে :

১। শ্ৰীকৃষ্ণ-কথা (আলোচনা)
২। চৈতন্যদেৱ (আলোচনা)
৩। পদুমকলি (কৱিতা)
৪। নাটৰ কুঁহি (চ'ৰাঘৰীয়া নাট)
৫। কেহোঁকলি (চুটি গল্প)
৬। অসমীয়া ভাষা আৰু সাহিত্য (সাহিত্য বুৰঞ্জী)

৭। বৰবৰুৱাৰ সাহিত্যিক ৰহস্য (খুহুটীয়া ৰচনা)
৮। বৰবৰুৱাৰ চ'ৰা (খুহুটীয়া ৰচনা)
৯। বৰবৰুৱাৰ সামৰণি (কাৰ্টুন)
১০। বিবিধ প্ৰসঙ্গ
১১। সম্পাদকৰ চ'ৰা
১২। কাহুদী আৰু খাৰলি
১৩। The Re igion of Love ard Devotion.

বিশাল বেজবৰুৱা সাহিত্য আমাৰ নিচিনা বাওনাই দুই হাত মেলি আকোৱালি লব পৰাটো সহজ কথা নহয়। সেই কাৰণে আমি নিশ্চয় নক'ওঁ যে এই গ্ৰন্থাৱলীৰ ভিতৰত বেজবৰুৱাৰ সকলোখিনি ৰচনাই ঠাই পাইছে। কিছুমান অনিচ্ছাকৃতভাৱে বাদ পৰিছে হাতে চুকি নোপোৱাৰ কাৰণে আৰু কিছুমান ইচ্ছাকৃত ভাবেই বাদ দিয়া হৈছে আন কাৰণত। বাদদিয়াবোৰৰ ভিতৰত কিছুমান আছে—একে বিষয়বস্তুকে লৈ লিখা প্ৰবন্ধ বা আলোচনা, কিছুমান হৈছে বাদানুবাদ আৰু বিতৰ্কমূলক-আলোচ্য বিষয়ৰ সুসমাধান হৈ যোৱাৰ বাবে বৰ্ত্তমানে তাৰ আৱশ্যক নাইকিয়া হৈছে। এনেবোৰ ৰচনা এসময়ত বতৰুৱা ফুলৰ দৰে জকমকাই ফুলি উঠিছিল যদিও বৰ্ত্তমানে সি মৰহি গৈছে আৰু তাৰ বতৰো উকলি গৈছে—উদাহৰণস্বৰূপে ঊষা-বাঁহীৰ যুদ্ধ, বান্ধৱ-বাঁহীৰ যুদ্ধ, প্ৰদীপিকা-বাঁহীৰ যুদ্ধ ইত্যাদি। সেয়ে হলেও 'চৈতন্যদেব' আৰু 'অসমীয়া ভাষা-সাহিত্য' নামৰ এই দুখন কিতাপ বাদ দিয়াটো আমি উচিত বিবেচনা নকৰিলোঁ। কিয়নো বৃহত্তৰ বাংলাৰ সপোন, অসমীয়া ভাষা-সাহিত্য আৰু শঙ্কৰী ধৰ্ম্মক হেয় প্ৰতিপন্ন কৰাৰ কুপ্ৰচেষ্টা এতিয়াও নাৰ যোৱা নাই আৰু সময়ে সময়ে ই পুৰণি ব্যাধিৰ দৰে উকদি থাকিব নিশ্চয়। সেই বাবে বেজবৰুৱাৰ এই দুখন বেজালি পুথিৰ আৱশ্যকতা আমি নুই কৰিব নোৱাৰোঁ।

লক্ষ্মীনাথে নিজে ছপাই যোৱা কিতাপকেইখনৰ বিষয়ে আমাৰ কবলগীয়া নাই। গ্ৰন্থকাৰে যথাস্থানত নিজৰ মনোভাব লিপিবদ্ধ কৰি থৈ গৈছে আৰু ছপাৰ আখৰত পঢ়িবলৈ পাই পঢ়ুৱৈ সমাজেও ইতিমধ্যে সেইবোৰ লিৰিকিবিদাৰি চাবলৈ সুবিধা পাইছে। সমালোচক-সকলে সেইবোৰ নিজৰ দৃষ্টিভঙ্গীৰে নিৰীক্ষণ কৰিছে আৰু সাহিত্যৰ বুৰঞ্জীতো তাৰ যথাযোগ্য মূল্যাঙ্কন কৰিবলৈ চেষ্টা কৰা হৈছে। আমি মাথোন এই গ্ৰন্থাৱলীত সন্নিবিষ্ট কৰা খনচেবেক পুথিৰ বিষয়েহে দুই একেষাৰ চমুকৈ কম। বিশেষজ্ঞসকলে পিছত ধীৰে-সুস্থিৰে নিজ নিজ অভিমত দিব পাৰিব।

প্ৰথমতে 'মোৰ জীৱন-সোঁৱৰণ' পুথিখনৰ কথাকে কৈছোঁ। মহাপুৰুষ শঙ্কৰদেৱৰ 'কীৰ্ত্তন' পুথিৰ বিভিন্ন অংশ গোটাই তেওঁৰ তিৰোভাৱৰ পিছত যুগুত কৰাৰ নিচিনাকৈ আলোচনীৰ পাতত ডাল ডাল হৈ পৰি থকা বিভিন্ন অংশ গোটাই এই মূল্যবান আত্মজীৱন-চৰিতখন প্ৰকাশ কৰা হৈছিল। এই গ্ৰন্থৰ প্ৰথম তাঙৰণ উলিয়াইছিল ১৯৪৪ চনত স্বৰ্গীয় নাধৱচন্দ্ৰ বেজবৰুৱাই। তাৰ পিছত সেই অসম্পূৰ্ণ গ্ৰন্থখনিতে আৰু কেইটামান অংশ যোগ দি অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে প্ৰায় সম্পূৰ্ণ কৰি দিয়াত অসম সাহিত্য সভাই তাক পুনঃ প্ৰকাশ কৰে। বৰ্ত্তমানে ইয়াৰ নতুন সংস্কৰণত আৰু কেইটামান বাদ পৰি যোৱা অধ্যায় জোৰা দি পৰিবৰ্দ্ধিত সংস্কৰণ প্ৰকাশ কৰা হৈছে। কিন্তু এই গ্ৰন্থাৱলীৰ জীৱনী অংশৰ ছপা কাম শেষ হৈ যোৱাৰ বহু পিছতহে পৰিবৰ্দ্ধিত সংস্কৰণৰ ভু পোৱা হোৱাৰ বাবে গ্ৰন্থাৱলীৰ অন্তৰ্ভুক্ত পুথিত শেহতীয়াকৈ আৱিষ্কৃত হোৱা অধ্যায়কেইটা যোগ দিব পৰা নহল। বেজবৰুৱা গ্ৰন্থাৱলীত প্ৰথমতে 'মোৰ জীৱন সোঁৱৰণ'ক স্থান দি তাৰ পৰিশিষ্টত আৰু দুটা বেলেগ

প্ৰবন্ধ মূল জীৱনীৰ পৰিপূৰক অংশ হিচাপে যোগ দিয়া হৈছে। 'বেজবৰুৱাৰ দিনলেখা'খন ইয়াৰ পিছতে গাঁথি দিব পৰা হলে সোণত সুৱগা চৰিলহেঁতেন কিন্তু এতিয়ালৈকে সেই পুথিও আমাৰ হাতত পৰাহি নাই। জীৱন-সোঁৱৰণ সম্পৰ্কত আৰু এটা কথা এইখিনিতে উল্লেখ কৰাটো ভাল হব। এই বছৰত অৰ্থাৎ ১৯৬৮ চনত বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী উৎসৱ পতা হৈছে যদিও সম্প্ৰতি লক্ষ্মীনাথৰ জন্মপত্ৰিকাখন আৱিষ্কৃত হৈ অসম বাদুঘৰত সংৰক্ষিত হোৱাত এতিয়া খাটাংভাবে জানিব পৰা গৈছে যে লক্ষ্মীনাথৰ জন্ম হৈছিল আজিৰ পৰা এশ চাৰিবছৰ আগতে অৰ্থাৎ ১৮৬৪ চনৰ লক্ষ্মীপূৰ্ণিমাত। জীৱন সোঁৱৰণত থকা জন্মচনটো ৰনে সজা বুলি গ্ৰন্থকাৰে নিজেই লিখি থৈ গৈছে। সি যি কি নহওক এতিয়া সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত বেজবৰুৱাৰ জীৱনচৰিত, মোৰ জীৱন-সোঁৱৰণ আৰু আন আন আনুসঙ্গিক পুথি জুকিয়াই চালে আগেয়ে নজনা দুই চাৰিটা নতুন কথাৰ সন্ধেদ পোৱা যাব নিশ্চয়।

লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়া অসমীয়া চুটিগল্পৰো প্ৰবৰ্ত্তক আৰু অসমীয়া শ্ৰেষ্ঠ গল্প-লেখকসকলৰ অন্যতম। ১৯০৯ চনত লক্ষ্মীনাথৰ প্ৰথম গল্পৰ পুথি 'সুৰভি'য়ে ছপাৰ পোহৰ দেখে। তাৰ পিছৰ বছৰত (১৯১০ চনত) 'সাধুকথাৰ কুকি' আৰু (১৯১৩ চনত) 'জোনবিবি' নামৰ আৰু দুখন গল্পৰ পুথি প্ৰকাশ হয়। অৱশ্যে যোৱা শতিকাৰ শেষ দুই দশকৰ পৰাই লক্ষ্মীনাথে চুটি গল্প লিখিবলৈ আৰম্ভ কৰিছিল। এইটো মন কৰিবলগীয়া কথা যে এই সময়ত ভাৰতত নেলাগে জন্মস্থান পাশ্চাত্য জগততেই চুটি গল্পৰ এমাভিয়া অৱস্থা আছিল। বেজবৰুৱাই চুটি গল্প আৰু সাধুকথাৰ মাজত ভেদাভেদ ৰখা নাছিল যদিও আমি তেওঁৰ 'বুঢ়ীআইৰ সাধু' আৰু 'ককাদেউতা নাতি-লৰা'ক শিশু-সাহিত্যৰ খোঁটালিত থলে ছপা চুটি গল্পৰ পুথি তিনিখন পাওঁ। 'জোনবিবিয়েই শেষৰখন পুথি আছিল। কিন্তু লক্ষ্মীনাথে তেওঁৰ জীৱনৰ বিয়লি বেলালৈকে চুটি গল্প লিখিবলৈ এৰা নাছিল। বাঁহী আৰু আন ঠাইত সিচঁৰতি হৈ থকা আৰু গল্পৰ পুথিত অন্তৰ্ভুক্ত নোহোৱা পোন্ধৰটা গল্প গোটাই এই গ্ৰন্থাৱলীত 'কেঁহোকলি' নামেৰে ৰসৰাজৰ চতুৰ্থখন গল্পৰ পুথি সন্নিৱিষ্ট কৰা হৈছে। প্ৰথমটো গল্প 'কেহোঁকলি'ৰ নামেৰেই পুথিখনৰ নামকৰণ কৰা হৈছে—এই নামটোৰ অৰ্থ গল্পটোৰ পাতনিতে লিখকৰ নিজৰ ভাষাতেই পোৱা যাব। গ্ৰন্থকাৰৰ আন আন গল্পৰ পুথিত থকা দোষ-গুণ কেহোঁকলিতো কম-বেছি পৰিমাণে আছে। আমি মাথোন ইয়াকে কব খোজোঁ যে লক্ষ্মীনাথৰ কেইবাটাও গল্পত অসমীয়া সমাজখনৰ হুবহু প্ৰতিফলন হৈছে ভাব, ভাষা, পৰিবেশ আৰু চৰিত্ৰচিত্ৰণৰ ফালৰ পৰা। এইটো সঁচা কথা যে বেজবৰুৱাই বৰ্ণনা কৰা অসমীয়া সমাজখনে সময়ৰ লগে লগে যোট সলাই আহিছে আৰু হয়তো আঢৈকুৰি বছৰমান পিছত ইয়াৰ আকৃতি সম্পূৰ্ণ সলনি হৈ যাব। সেই কাৰণে সমাজৰ লগে লগে বেজবৰুৱাৰ গল্পৰ কোনো কোনো চৰিত্ৰক চিনি পোৱাটো টান হব; তাৰ পৰিবেশো আচহুৱা যেন লাগিব। কিন্তু তেতিয়াও সকলোবোৰ গল্পৰ মূল্য যে হ্ৰাস হব আৰু সাহিত্যিক মাদকতা নাইকিয়া হৈ যাব তেনে বুলি আমি নেভাবোঁ। জীয়া সমাজ এখন পৰিবৰ্ত্তনশীল হবই লাগিব কিন্তু সমাজ মৰিলেও যে তাৰ লগতে ভাল সাহিত্যৰো সহমৰণ হব এনে কথা নহয়। বেজবৰুৱাৰ গল্পত বা ৰচনাত যি কালিকা আছে, সি সহজতে চুটি নেযায়। অগৰৰ সামাজিক বুৰঞ্জী-লিখকসকলে এই গল্পবোৰৰ ভিতৰত বিস্তৰ আহিলাপাতি বিচাৰি পাব, ৰসগ্ৰাহী পাঠকে উজলি যোৱা নিজৰ ছবিবোৰ দেখি বিস্মিত হব। বেজবৰুৱাৰ আন আন গল্পৰ পুথিৰ দৰে 'কেহোঁকলিৰ' বিষয়-বস্তু ব্যাপক আৰু নানা গঢ়ৰ। ৰসৰাজৰ চকীদাৰ আৰু মাজীটোৱেও গল্পৰ মাৰক হৈ পাঠকৰ আগত থিয় দিছে। আনকি কুকুৰ-মেকুৰীৰ বিষয়ে লিখা গল্পও ইয়াত আছে। 'মাৰ্জ্জাৰী' হেনো ৰবাচলতে এটা সঁচা ঘটনাৰেই গল্প ৰূপ। কেৱল মাৰ্জ্জাৰীয়েই নহয় লক্ষ্মীনাথৰ আন কেবাটাও গল্পৰ পাত্ৰ যেদিনা একোজন সঁচা মানুহেই ভুলাই পৰে আৰু

একোটা বাস্তৱ কাহিনীকে গল্পৰ বেশত দেখা পোৱা যায়। ভাষাৰ ক্ষেত্ৰ বেজবৰুৱাই তেওঁৰ বহু গল্পত নিপুণ ৰেজালিৰ চিনাকি দিছে আৰু তাত অনুপানভেদে কৃপাবৰী-ৰসায়নো প্ৰয়োগ কৰিছে। বেছি ভাগ গল্পৰে পৰোক্ষ উদ্দেশ্য ব্যক্তিৰ শুদ্ধিকৰণ, সমাজৰ শুদ্ধিকৰণ আৰু ভণ্ডামিৰ মুণ্ডপাতকৰণ বুলি কব পাৰি।

মহাপুৰুষ সম্পৰ্কীয় পুথিবোৰৰ বিষয়ে ইমানকে কব পাৰি যে লক্ষ্মীনাথৰ পূৰ্ব্বতে শঙ্কৰ-মাধৱ গুৰু দুজনা সত্ৰ আৰু নামঘৰৰ ভিতৰতে আবদ্ধ হৈ আছিল। ভকতীয়া ব্যাখ্যাৰ বাহিৰে তেওঁসকলৰ অমূল্য গ্ৰন্থৰাজিৰ প্ৰকৃত মূল্যাঙ্কন কৰিবলৈ কোনেও চেষ্টা কৰা নাছিল। লক্ষ্মীনাথে পোনপ্ৰথমে শ্ৰীশঙ্কৰ প্ৰমুখ্যে অসমীয়া বৈষ্ণৱ গুৰুসকলক নামঘৰৰ গুৰুআসনৰ পৰা ভক্তিভাৱে উলিয়াই আগবঢ়াই আনিলে বাহিৰৰ জগতখনলৈ। ধৰ্ম্মৰ আসনৰ উপৰিও সাহিত্য-সংস্কৃতিৰ ৰৰচ'ৰাতো তেওঁসকলক সন্মানৰ আসনত বহুৱালে লক্ষ্মীনাথেই। আজি স্কুল-কলেজ, অনাতাঁৰ, সাহিত্য সভা, সাংস্কৃতিক সভা সকলোতে সৰ্ব্বগুণাকৰ শ্ৰীগুৰু-শঙ্কৰৰ মহিমা ৰজনজনাই গৈছে। ইয়াৰ মূলতে হৈছে শঙ্কৰ-মাধৱ গুৰু দুজনাৰ প্ৰতি লক্ষ্মীনাথৰ অচলা ভক্তি আৰু পবিত্ৰ গীতা-ভাগৱতৰ সাৰ মহাপুৰুষীয়া একশৰণ ধৰ্ম্মৰ প্ৰতি তেওঁৰ আনুগত্য। আমি আজি এইদৰেও কব পাৰোঁ যে শঙ্কৰদেৱ নোহোৱা হলে বেজবৰুৱা নহলহেঁতেন আৰু বেজবৰুৱা নোহোৱা হলে শঙ্কৰদেৱো নহলহেঁতেন। তদুপৰি শঙ্কৰদেৱ আৰু বেজবৰুৱা নোহোৱা হলে হয়তো অসমীয়া জাতিও স্বকীয় বৈশিষ্ট্য লৈ আজি বৰ্ত্তি থাকিব নোৱাৰিলেহেঁতেন। লক্ষ্মীনাথৰ পিছতে ডঃ বাণীকান্ত কাকতিদেৱ একে ভাবেই শঙ্কৰী সাহিত্য আৰু ধৰ্ম্মৰ নিপুণ ৰাটকটীয়া হৈছিল। বেজবৰুৱাৰ শঙ্কৰদেৱ, শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ আৰু কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য' এই গ্ৰন্থ কেইখনি সাগৰ মন্থনত ওলোৱা অমৃতৰ ঘট।

এইখিনিতে আমি মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ গ্ৰন্থৰ দ্বিতীয় সংস্কৰণৰ নিবেদনত প্ৰকাশকে কোৱা কেইষাৰিমান কথা তুলি দিছোঁ:—"বেজবৰুৱাই যি কালত এই পুথিখন ৰচনা কৰিছিল সেই কালত এনে ধৰণৰ ই প্ৰথম চেষ্টা কাৰণে ইয়াৰ তথ্য-পাতিবোৰ পোৱাটো স্বাভাৱিকতে তেনেই দুঃসাধ্য আৰু সীমাবদ্ধ আছিল আৰু বেজবৰুৱাই তাৰ ওপৰতে ভেটি কৰি এই পুথি লিখিছিল। বেজবৰুৱাৰ পিছত এই সুদীৰ্ঘ পঞ্চাশ বছৰৰ ভিতৰত শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ বিষয়ে ভালেমান নতুন তথ্যপাতি উদ্ধাৰ হৈ আছে আৰু গুৰু দুজনাৰ ওপৰত কোনো কোনো ঠাইত কিবা খুঁত বা আঁসো াহ আদি ওলোৱাৰ শঙ্কাও নোহোৱা নহয়। কিন্তু সেইবোৰৰ প্ৰতিকাৰ কৰি লৈ থোৱা মানে বেজবৰুৱাৰ পুথিখন চালিজাৰি আকৌ নকৈ লিখাৰ দৰেই হব। আমি তেনেদৰে বেজবৰুৱা ৰচনাক বিকৃত কৰাৰ দুঃসাহস কোনোপধ্যে কৰিব নোৱাৰোঁ।" এইখিনি কথা এই বাবেই তুলি দিয়া হৈছে যে এই গ্ৰন্থাৱলী সম্পাদন কৰোঁতে সাধাৰণভাৱে আমি এই নীতিকেই অনুসৰণ কৰিবলৈ যত্ন কৰিছোঁ।

লক্ষ্মীনাথৰ জীৱনটোৱেই আছিল শ্ৰীকৃষ্ণময়—শঙ্কৰ-মাধৱময়। এই কথা প্ৰতিপন্ন কৰিবলৈ সৰহ শ্ৰম কৰিব নেলাগে। পুৰণি বাঁহী কেইখনমানৰ পাত লুটিয়াই চালেই বুজিব পাৰি যে শ্ৰীকৃষ্ণভক্তিয়ে লক্ষ্মীনাথৰ জীৱনৰ আঁহে আঁহে বাহ লৈ শতপত্ৰ সম বিকশিত হৈছিল। শ্ৰীকৃষ্ণৰ প্ৰিয় বৃন্দাবনৰ কেলিকদম্বৰ সৌৰভণতে লক্ষ্মীনাথে গোলাপ-তগৰ চম্পা-নাগেশ্বৰ আদি বিবিধ আমোলমোলীয়া ফুলৰ কথা নেভাবি তেওঁৰ একমাত্ৰ কবিতাৰ কিতাপখনৰ নাম থৈছিল 'কদমকলি' আৰু শ্ৰীকৃষ্ণৰ হাতৰ মোহন বাঁহীটিৰ নামেৰেই জন্ম লৈছিল লক্ষ্মীনাথৰ 'বাঁহী' কাকতখনিয়ে। আমাৰ অসমীয়াত এষাৰ কথা আছে যোনে জুইশালত গঢ়িলেহে কমাৰশালত গঢ়িব পাৰি। 'মোৰ জীৱন সোঁৱৰণ'ত লক্ষ্মীনাথে নিজহাতে লিখি থৈ যোৱা কথা

লক্ষ্মীনাথৰ দৈনন্দিন কৰ্ম্ম-তালিকাখনত চকু ফুৰালেই সেই সত্যৰ মৰ্ম্ম অনুভূত হয়। ডাঙৰীয়া দীননাথ বেজবৰুৱাই যিজন পুত্ৰকৰ লৰাকালত তেওঁৰ মন এক ভকতীয়া পৰিবেশৰ মাজত মহাপুৰুষীয়া ধৰ্ম্মৰ কঠীয়া সিঁচি থৈ গৈছিল সেইজন লক্ষ্মীনাথ বেজবৰুৱা কৃষ্ণভক্ত নোহোৱা হলেহে আচৰিত কথা হ'লহেঁতেন। ল'ৰা লক্ষ্মীনাথৰ অন্তৰত কৃষ্ণভক্তি আৰু শ্ৰীশঙ্কৰ-মাধৱৰ প্ৰতি ভক্তি ইমান দকৈ আৰু গভীৰভাবে অঙ্কিত হৈছিল যে পিছৰ জীৱনত নানান প্ৰতিকূল অৱস্থাৰ মাজতো তাৰ একো হানি-বিঘিনি নঘটিল; বৰং ই অতি গাঢ়হে হ'ল। পিছৰ জীৱনত মাতৃভূমিৰ পৰা বহু দূৰত চিৰপ্ৰবাসী হৈ থাকিবলৈ অদৃষ্টই লক্ষ্মীনাথক বাধ্য কৰিছিল। তেওঁৰ তেতিয়াৰ জীৱনত বাহিৰত চাহাবিয়ানা, ঘৰত বঙালীয়ানা আৰু বিখ্যাত ঠাকুৰ পৰিয়ালৰ লগত বৈবাহিক সম্বন্ধ হোৱাৰ বাবে ব্ৰাহ্ম ধৰ্ম্মৰ সান্নিধ্য লাভ হৈছিল যদিও বৰ-লুইতৰ মাজত ডকা-চাকনৈয়া আৰু সাগৰ নেগুৰ ছিগা ধাৰৰ মাজত অচল অটল হৈ থিয় দি থকা উমানন্দ মহাভৈৰৱৰ নিচিনাকৈ বিসদৃশ অৱস্থা আৰু বাহিজোৰা নহা পৰিবেশৰ মাজতো মূৰ ওখ কৰি লক্ষ্মীনাথ জিলিকি আছিল—জীৱনৰ শেষ দিনলৈকে। অসমীয়া ভাষাৰ, অসমীয়া সাহিত্যৰ, অসমীয়া জাতীয়তাবাদৰ আৰু অসমীয়া শঙ্কৰী ধৰ্ম্মৰ প্ৰবাহ তেওঁৰ সিৰাই সিৰাই, ধমনীৰ প্ৰতি বিন্দু ৰক্তৰ মাজেদি অনৰ্গল বৈ আছিল।

লক্ষ্মীনাথৰ অমৃতবৰষা কাপে জিৰণি লোৱা নাছিল আৰু দৰাচলতে তেওঁৰ জীৱনৰ শেষ হোৱা কালতহে 'শ্ৰীকৃষ্ণ-কথা' আৰু 'তত্ত্ব-কথা'ৰ অন্তৰ্ভুক্ত প্ৰবন্ধৰাজি 'অযত্নপালিতা কন্যা' হৈ 'বাঁহী'ৰ পাতত স্থান হৈছিল। এই 'শ্ৰীকৃষ্ণ-কথা' আৰু 'তত্ত্ব-কথা' লক্ষ্মীনাথৰ সাহিত্য-সাধনাৰ পৰিপক্ক ফল। এই দুখনি গ্ৰন্থৰ বাবেই লক্ষ্মীনাথক তত্ত্বদৰ্শী বেজবৰুৱা আখ্যা দিলে ভুল কৰা নহয়। সুনিপুণ গল্পলিখক স্বৰ্গীয় হলিৰাম ডেকা ডাঙৰীয়াই বেজবৰুৱা-প্ৰসঙ্গত লিখিছিল, "স্বৰ্গীয় আগৰৱালাদেৱৰ (চন্দ্ৰকুমাৰ) সৌজন্যত 'বাঁহী' সংক্ৰান্তত কাম কৰা দিনত বেজবৰুৱা-দেৱৰ কৃষ্ণপ্ৰেম সম্বন্ধীয় প্ৰবন্ধবোৰ হাতত পৰিলেই ভাবিছিলো—এটা কটাকটি নাই, অনৰ্গলভাবে লিখি যায়। এনে স্বচ্ছ হৃদয় দাপোণখন, এনে অমৃতস্ৰাৱী লেখনী ক'ত পালে এখেতে? পিছত বেজবৰুৱাৰ লগত দেখা হোৱাত প্ৰতীয়মান হ'ল যে সাধনাত সিদ্ধি লাভ কৰা এজন মহন্ত পুৰুষ।" প্ৰাক্তন মুখ্য ন্যায়াধীশ ডেকাদেৱে যথাৰ্থভাবে সাহিত্য বিচাৰ কৰি এনেভাবে কৈছিল।

বেজবৰুৱাই বাঁহীত ভক্তিতত্ত্বমূলক প্ৰবন্ধ, কাঁহুদী-খাবলি আৰু সম্পাদকীয় টোকা ইমান বেছিকৈ লিখি থৈ গৈছে যে এইবোৰৰ সঠিক সংখ্যা নিৰুপণ কৰাটো সহজ নহয়। শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, চৈতন্যদেৱ প্ৰভৃতি ধৰ্ম্মগুৰুসকলৰ বিষয়ে নানা প্ৰসঙ্গও বিস্তৃত-ভাবে আলোচনা কৰা হৈছে। এই প্ৰবন্ধৰাজিৰ ওপৰে ওপৰে চকু ফুৰাই চালেও লক্ষ্মীনাথৰ জীৱনদৰ্শনৰ আধ্যাত্মিক কালচো স্পষ্টভাবে দেখা পোৱা যায়। লক্ষ্মীনাথে হিন্দুধৰ্ম্মৰ প্ৰায় আটাই-বিলাক শাস্ত্ৰকে পাত পাতকৈ পঢ়ি চাইছিল। আনকি কোৰাণ, বাইবেল আদি গ্ৰন্থৰ কোনো কোনো অংশও তেওঁৰ আলোচনাৰ ভিতৰত সোমাইছে। কেৱল পণ্ডিতসকলকে নহয়, সৰ্ব্বসাধাৰণ ৰাইজকো তেওঁ আমাৰ ধৰ্ম্মৰ মূল কথাবোৰ বুজাই দিবলৈ কিদৰে জীৱনব্যাপী চেষ্টা কৰিছিল 'বাঁহী'য়ে আজিও তাৰ সাক্ষ্য বহন কৰিছে। হিন্দুধৰ্ম্মৰ বিভিন্ন মতবাদ সম্পৰ্কে তেওঁৰ আলো-চনাবোৰ পঢ়ি মুগ্ধ নহৈ নোৱাৰি। এই প্ৰসঙ্গতে তেওঁ লিখা 'বিশিষ্টাদ্বৈতবাদ' নামৰ তত্ত্বমূলক আলচ এটিলৈ আঙুলিয়াব পাৰি। পঞ্চম বছৰ, ১ম সংখ্যা 'বাঁহী'ৰ সম্পাদকীয়ত লক্ষ্মীনাথে লিখিছিল: "সিদিনা আমাক এজনে কৈছিল যে 'আজিকালি বাঁহীখন ধৰ্ম্মৰ কাকত হ'ল। পণ্ডিতে সি অপাঠ্য হৈ পৰিছে।' আমি কলোঁ, ধৰ্ম্মৰ কাকত অৰ্থাৎ ধৰ্ম্মপ্ৰাণ কাকত বাঁহী হব পৰা নাই; সেই বাবেহে সি অপাঠ্য হৈছে। বাঁহীক ধৰ্ম্মপ্ৰাণ কৰিব পৰাহেঁতেন নিশ্চয় সি পাঠ্য হ'লহেঁতেন। ঈশ্বৰৰ বাহিৰে, ধৰ্ম্মৰ বাহিৰে মানুহৰ জীৱনত কি আছে সাজানো।

ঈশ্বৰৰ পৰা আঁতৰি, ধৰ্ম্মৰ পৰা আঁতৰিহে যে আমাৰ জীৱন অপাঠ্য, অথইচ হৈ পৰিছে তাত আমাৰ সন্দেহ নাই।"

বেজবৰুৱাই 'তত্ত্ব-কথা' আৰু 'শ্ৰীকৃষ্ণকথা' নামৰ কোনো গ্ৰন্থ ৰচনা কৰি এৰি থৈ যোৱা নাছিল। তত্ত্ব-কথা নামৰ চুটি প্ৰবন্ধ এটাহে 'বাঁহী'ত প্ৰকাশ হৈছিল মাথোন। সেই প্ৰবন্ধটিৰে সমভাবাপন্ন কেইটামান প্ৰবন্ধ লগ লগাই 'তত্ত্ব-কথা' নামৰ গ্ৰন্থখনি যুগুত কৰা হৈছে। ইয়াৰ ভিতৰৰ ৰাসলীলা-তত্ত্ব, বস্ত্ৰহৰণ-তত্ত্ব, ভাগৱত-তত্ত্ব আৰু গীতা-তত্ত্ব নামৰ প্ৰবন্ধ কেইটা বেজবৰুৱা ডাঙৰীয়াই নিজেই নামকৰণ কৰি বাঁহীত প্ৰকাশ কৰিছিল। 'নাম-তত্ব' নামৰ প্ৰবন্ধটো মাথোন 'ন জোন'ত ওলাইছিল। ভিন ভিন সময়ত 'বাঁহী'ৰ সম্পাদকীয় চ'ৰাত ওলোৱা প্ৰসঙ্গবোৰকে গোটাই মৰ্ম্ম অনুসৰি নামকৰণ কৰি বাকীকেইটা প্ৰবন্ধ যুগুত কৰা হৈছে। এই প্ৰবন্ধবাজি একে সময়তে আৰু একে উদ্দেশ্যেৰে ৰচনা কৰা হোৱা নাছিল আৰু আমি যে এদিন এইবোৰ একে ঠাইতে থুপ খুৱাই একেখন কিতাপৰ ভিতৰুৱা কৰি লম সেই কথাও গ্ৰন্থকাৰে নিশ্চয় কোনো দিনে ভবা নাছিল। সেই বাবে এই পুথিৰ প্ৰবন্ধবোৰৰ মাজত পুনৰুক্তি দেখা যাব আৰু কোনো ঠাইত একেটা বিষয়ৰ কথাকে বিভিন্ন ধৰণে আলচ কৰাও পোৱা যাব। এনে বহু পুনৰুক্তি বিষয়ক কথা ঠায়ে ঠায়ে বাদ দিয়া হৈছে যদিও স্বকীয়া প্ৰবন্ধ একোটাৰ সৌন্দৰ্য্য হানি হোৱাৰ আশঙ্কাত সকলো কথাকে আমি বাদ দিয়াটো উচিত বুলি নেভাবিলোঁ। পঢ়ুৱৈ সমাজে এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰন্থখনি পাঠ কৰিব বুলি আশা ৰখা হ'ল। এই পুথিৰ সংস্কৃতশ্লোকবোৰ মূলৰ লগত মিলাই চাই শুধৰাই দিছে অধ্যাপক শ্ৰীৰজনীকান্ত দেৱশৰ্ম্মাই।

'তত্ত্বকথা'ৰ নিচিনাকৈ বাঁহীৰ সম্পাদকৰ চ'ৰাৰ মণিকূটৰ পৰা উলিয়াই 'শ্ৰীকৃষ্ণ-কথা' গ্ৰন্থখনিও ৰাইজৰ দেউলত থাপনা পতা হ'ল। এই পুথিৰ শেষৰ দুটা প্ৰবন্ধ বাঁহীত 'কৃষ্ণকথা' নামেৰেই প্ৰকাশ হৈছিল, এটাক সম্পাদকীয় চ'ৰাত বেজবৰুৱাই নিজেই 'ঈশ্বৰ শ্ৰীকৃষ্ণ' বুলি নামকৰণ কৰিছিল আৰু বাকীকেইটাৰ নাম দিছোঁ আমি—বিষয়বস্তুলৈ লক্ষ্য ৰাখি।

'তত্ত্ব-কথা' আৰু 'শ্ৰীকৃষ্ণ-কথা' এই দুখনি গ্ৰন্থত সন্নিবিষ্ট বিবিধ প্ৰবন্ধত লক্ষ্মীনাথে উচ্চ পৰ্য্যায়ৰ পাণ্ডিত্যপূৰ্ণ আলোচনা আগবঢ়াইছে। তাৰে এটা আলচত ঈশ্বৰৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ তেওঁ বেদ-বেদান্ত, সাংখ্য দৰ্শন, পাতঞ্জল দৰ্শন আদি বিবিধ ধৰ্ম্মগ্ৰন্থৰ সাৰমৰ্ম্ম ফঁহিয়াই চাই এনে এটা সিদ্ধান্তত উপনীত হৈছে যে "আমি পিয়াহত পানী খাবলৈ গৈ নৈৰ মাজত জঁপিয়াই পৰিলে তাত বুৰিহে মৰিম, পিয়াহ গুচাব নোৱাৰোঁ। কিন্তু এচলু বা এবাটি পানী আনি খালেহে আমাৰ পিয়াহ গুচিব। ঈশ্বৰৰ অভিপ্ৰায়ো যে সেইটোৱেই অৰ্থাৎ তেওঁক যে স্বকীয়াকৈ এক ঈশ্বৰ বুলি সেৱা ভজনা কৰিব লাগে—সৰ্ব্বজগতত ঈশ্বৰ ভবা বুলি নহয়, সেইটো, আমাক আমাৰ স্বকীয়াত্ব তেওঁ প্ৰদান কৰাতেই স্পষ্ট দেখা গৈছে।"

এই দীঘলীয়া তত্ত্বমূলক আলচবোৰত আমি বেজবৰুৱাৰ শাস্ত্ৰজ্ঞান, পাণ্ডিত্য আৰু বিচাৰ-বিশ্লেষণী শক্তি দেখি বিমুগ্ধ নহৈ নোৱাৰোঁ। এইবোৰত তেওঁ নানান শাস্ত্ৰকাৰ, পণ্ডিত আৰু মহামানৱৰ মহামন্ত্ৰ আদিৰ উদ্ধৃতি দিয়াৰ উপৰিও অনেক সংস্কৃত, অসমীয়া, বঙলা, সমভাবাপন্ন উক্তি তুলি দি নিজৰ যুক্তিবোৰ গজগজীয়া কৰি তুলিছে। সংস্কৃত শ্লোকৰ উদ্ধৃতিবোৰৰ লগে লগে কীৰ্ত্তন, দশম, ঘোষা আদি অসমীয়া ধৰ্ম্ম-পুথিসমূহৰ পৰা প্ৰচুৰ পৰিমাণে সমভাবাপন্ন অৰ্থৰ উদ্ধৃতি নাইবা অসমীয়া ভাঙনি দিয়া হৈছে। সেই কাৰণে আলচবোৰ ৰসাল হোৱাৰ উপৰিও সাৰুৱা আৰু সহজো হৈ পৰিছে, টান ভাববোৰো বুজি পাবলৈ সহজ হৈছে। এনে কামত প্ৰবৃত্ত হৈ কৃতকাৰ্য্য হোৱাটো এলাপেচা মানুহৰ কাৰণে সম্ভৱপৰ নহয়।

ডঃ নেওগৰ ভাষাৰেই আকৌ কৈছো : "বাঁহী আদি কাকতত প্ৰকাশ হোৱা বেজবৰুৱা ডাঙৰীয়াৰ কৃষ্ণ-কথা আৰু তত্ত্ব-কথাই তেওঁৰ চিন্তাধাৰাৰ বিশেষ এটা দিশ প্ৰকাশ কৰে।

অসমৰ বৈষ্ণৱ-ধৰ্ম্ম সম্পৰ্কীয় বাক্-বিতণ্ডাত এসময়ত বেজবৰুৱা আৰু ডঃ বাণীকান্ত কাকতি দুই-জনেই লিপ্ত হৈ পৰিছিল আৰু তেওঁলোকৰ সেই সময়ৰ আলোচনা সমূহত বিতণ্ডা আৰু তিক্ততা দুইটাই কম-বেছি পৰিমাণে আছিল। কিন্তু বেজবৰুৱাৰ কৃষ্ণ-কথা আৰু তত্ত্ব-কথাত সেই বিতণ্ডা নাই। ইয়াত বৈষ্ণৱ ধৰ্ম্মৰ বহল নীতিবোৰৰ প্ৰসাদযুক্ত বিচাৰ আছে। এই আলোচনা-খিনিত যুক্তি-তৰ্কৰ কৰ্কশ ধাৰো নাই। ৰচনা ৰীতিৰ ফালৰ পৰাও এই প্ৰবন্ধসমূহ সকলোৰে আদৰণীয় হব বুলি বিশ্বাস। এই প্ৰসঙ্গত বেজবৰুৱাৰ বৈষ্ণৱ ধৰ্ম্ম আৰু ৰাসলীলা সম্পৰ্কীয় ইংৰাজীত দিয়া বৰোদা বক্তৃতামালাৰ কথাও স্মৰণ কৰিব পাৰি।"

আৰু এটা কথা মন কৰিব পাৰি যে বেজবৰুৱাৰ প্ৰায় সকলো গ্ৰন্থতে কৃপাবৰ বৰবৰুৱাই প্ৰৱেশ কৰিছে, আগদুৱাৰেদি নহলেও পাছদুৱাৰেদি বা খিড়িকীৰে। 'তত্ত্ব-কথা' আৰু 'শ্ৰীকৃষ্ণ-কথা'ত ইয়াৰ ব্যতিক্ৰম ঘটিছে। এই দুখনি গ্ৰন্থত লক্ষ্মীনাথে তেওঁৰ গাৰ লগৰ ছাঁচোৰ দৰে কৃপাবৰকো প্ৰৱেশনিষেধ কৰি ভিতৰলৈ সোমাবলৈ দিয়া নাছিল। গ্ৰন্থৰ গুৰুত্ব আৰু বিষয়-বস্তুৰ গভীৰতাই ইয়াৰ কাৰণ। পাঠকসকলক আমি সবিনয়ে জনাই থওঁ যে 'তত্ত্ব-কথা' আৰু 'শ্ৰীকৃষ্ণ কথা' গ্ৰন্থদুখনিত বেজবৰুৱাই ৰচনা কৰা এই পৰ্য্যায়ৰ সকলোবোৰ আলচুকে সামৰি লোৱা হোৱা নাই—কোনোটো সময়মতে হাতে চুকি নোপোৱাৰ বাবে আৰু কোনো কোনোটোত একে বিষয় বস্তুৰেই পুনৰুক্ত হোৱাৰ বাবে। বাদ পৰাবোৰ আমি নিশ্চয় কম মূল্যবান আৰু অনাগতিয়াল বুলি ধৰা নাই। ইমানকে কৈ গ্ৰন্থাৱলীৰ দ্বিতীয় খণ্ডত অন্তৰ্ভুক্ত হবলগীয়া খনচেৰেক কিতাপৰ বিষয়ে আমাৰ বক্তব্য আগলৈ এৰা হ'ল।

বেজবৰুৱা জন্ম-শতবাৰ্ষিকী উপলক্ষে অসম সাহিত্য সভাই লোৱা বহুমুখী আঁচনিৰ ভিতৰত 'বেজবৰুৱা গ্ৰন্থাৱলী' প্ৰকাশো অন্যতম। সাহিত্য সভা আৰু সাহিত্য প্ৰকাশৰ যুটীয়া প্ৰচেষ্টাত এই গ্ৰন্থাৱলী প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। প্ৰথমতে এধাৰ শ মান পিঠিৰ এটা খণ্ডত বেজবৰুৱাৰ সকলো গ্ৰন্থ-ৰচনা সামৰি লব পৰা হব বুলি ভবা হৈছিল কিন্তু ছপা কাম আগবঢ়াৰ লগে লগে দেখা গল যে আমাৰ পক্ষে ভুৰুকাত হাতী ভৰোৱাটো অসম্ভৱ। সেই কাৰণে এই গ্ৰন্থাৱলী দুটা খণ্ডত ভাগ কৰি প্ৰথম খণ্ড শতবাৰ্ষিকীৰ আৰম্ভৰ দিনা আৰু দ্বিতীয় খণ্ড অসম সাহিত্য সভাৰ অহা বছেৰেকীয়া অধিবেশনত প্ৰকাশ কৰি ৰাইজৰ হাতত দিবলৈ স্থিৰ কৰা হৈছে।

অসম সাহিত্য সভাই বেজবৰুৱা গ্ৰন্থাৱলীৰ এখন সম্পাদনা সমিতি গঠন কৰি মুখ্য সম্পাদকৰ গধুৰ দায়িত্ব আমাৰ ওপৰত তুলি দিয়ে। ফলে নোৱাৰা শিলক পৰি নমস্কাৰ কৰাটো উচিত আছিল যদিও দায়িত্ব গধুৰ হলেও মধুৰ হোৱা বাবে আৰু লগতে ইয়াক আমাৰ অৱশ্যপালনীয় কৰ্ত্তব্য বুলি ধৰি লৈ আমি সাহিত্য সভাৰ নিৰ্দ্দেশ মানি লবলৈ বাধ্য হলোঁ। সম্পাদনা সমিতিৰ সদস্যসকলৰ ভিতৰত অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, অধ্যাপক শ্ৰীযোগেশ দাস আৰু শ্ৰীশশী শৰ্ম্মাই সক্ৰিয় সহযোগ আগনবঢ়োৱা হলে আমাৰ পক্ষে এনে এখন মেটমৰা ভাৰ বহন কৰাটো অসম্ভৱ হ'লহেঁতেন। অধ্যাপক শ্ৰীদাসে বাসুকিয়ে পৃথিৱীৰ মহাভাৰ তুলি লোৱাৰ দৰে চানেকী-কাকত শুধৰণিৰ গধুৰ বোজাটো মূৰত তুলি লৈ আমাক সকাহ দিছে আৰু নীৰবে এটা প্ৰশংসনীয় কাম কৰিছে। অধ্যাপক শ্ৰীগোস্বামীৰ পৰা বেজবৰুৱাৰ ভঁৰালৰ আপুৰুগীয়া সম্পদ হাত মেলিলেই পাইছোঁ। সাহিত্য প্ৰকাশৰ শ্ৰীশশী শৰ্ম্মাই বেজবৰুৱাৰ ছপা কিতাপ আৰু থানবান হৈ পৰি থকা প্ৰবন্ধপাতি চৰায়ে কুটা কঢ়িয়াই অনাদি গোটাই দিয়াত গ্ৰন্থাৱলীয়ে স্বাভাৱিক গতি-বেগত আগবাঢ়ি যাব পাৰিছে। তদুপৰি শ্ৰীবেণুধৰ শৰ্ম্মা, শ্ৰীমতী দীপালী ডেকা, শ্ৰীকমলেশ্বৰ চলিহা, শ্ৰীভৱেশকুমাৰ আগৰৱালা, শ্ৰীকমললাল দুৱৰা (শিৱসাগৰ) আৰু শ্ৰীসত্যৰঞ্জন কলিতাই পুৰণি হঁচতি মেলি দুই এপদ বেজবৰুৱাৰ পাঁচ-

তীয়া বিত আমালৈ পঠিয়াই দিছে। অসম সাহিত্য সভাৰ সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগ আৰু সহঃ সম্পাদক শ্ৰীনন্দ তালুকদাৰে সম্পাদন আৰু প্ৰকাশনৰ মাজত যোগাযোগ ৰক্ষা কৰিছে। অসম ট্ৰিবিউনৰ অন্যতম গুৱিয়াল শ্ৰীপ্ৰদীপ বৰুৱাই নিজে বিশেষ ভাবক লৈ গ্ৰন্থাৱলী দুইখণ্ড সময়মতে আটোমটোকাৰিকৈ উলিয়াবলৈ যত্নৰ ত্ৰুটী কৰা নাই। ডঃ শ্ৰীমহেশ্বৰ নেওগ, অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, ডঃ শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য, অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা, শ্ৰীনৰেন্দ্ৰনাথ শৰ্মা আৰু শ্ৰীহৰিনাথ শৰ্মাই সততে খা-খবৰ কৰাৰ উপৰিও দিহা-পৰামৰ্শ আগবঢ়াই আছে। গণেশৰ দৰে পুথি তোলা লেখাৰুৰ বাব লৈ শ্ৰীনিত্যানন্দ বৰদলৈয়ে পাণ্ডুলিপিৰ এটা বৃজন অংশ যুগুতাই দিছে। এই সকলোটিৰে ওচৰত অসম সাহিত্য সভা, সাহিত্য প্ৰকাশ আৰু ব্যক্তিগতভাৱে আমি নিজেও অশেষ কৃতজ্ঞ। ইতি—

বিনীত

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা,
মুখ্য সম্পাদক,
বেজবৰুৱা গ্ৰন্থাৱলী সম্পাদনা সমিতি,
অসম সাহিত্য সভা।

তপোবন, গুৱাহাটী—১
৫।১০।৬৮

নিবেদন

১৯৬৪ চনৰ এপ্ৰিল মাহত শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰদেৱৰ সভাপতিত্বত হোৱা অসম সাহিত্য সভাৰ ডিগবৈ সন্মিলনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা জন্ম-শতবাৰ্ষিকী ১৯৬৮ ত উদ্‌যাপন কৰা সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ পিছৰ বছৰতে এখনি আঁচনি কমিটী গঠন কৰি শতবাৰ্ষিকীৰ কাৰ্য্যসূচী যুগুত কৰা হয় আৰু এই উপলক্ষে তেতিয়াৰ সভাপতি ৺ডিম্বেশ্বৰ নেওগদেৱৰ সভাপতিত্বত হোৱা কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অধিবেশনত শতবাৰ্ষিকী প্ৰস্তুতিৰ বাবে এটি সমিতি গঠন কৰা হয়। সেই সমিতিতে প্ৰথমে শতবাৰ্ষিকীৰ কাৰ্য্যসূচীৰ ভিতৰত বেজবৰুৱাৰ সকলোখিনি গ্ৰন্থৰ একত্ৰ সঙ্কলনৰ বাবে পোৱা পৰামৰ্শৰ ভিত্তিত বেজবৰুৱা-গ্ৰন্থসমূহৰ বাবে বেজবৰুৱাৰ কন্যা শ্ৰীমতী ৰত্না বৰুৱাৰ লগত যোগাযোগ কৰা হয়। শ্ৰীমতী বৰুৱাই গুৱাহাটীৰ সাহিত্য প্ৰকাশৰ লগত এই বিষয়ে আলোচনা কৰাৰ কথা উল্লেখ কৰে। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে প্ৰধান সম্পাদকক গ্ৰন্থাৱলী প্ৰকাশ সম্পৰ্কে যথাস্থানত যোগাযোগ কৰি আৱশ্যকীয় ব্যৱস্থা লবৰ বাবে কৰ্ত্তৃত্ব দিয়ে। এই মৰ্ম্মে অৱশেষত সাহিত্য সভা, শ্ৰীমতী বৰুৱা আৰু সাহিত্য প্ৰকাশৰ কৰ্ত্তৃপক্ষৰ লগত হোৱা আলোচনা অনুসৰি সিদ্ধান্ত গ্ৰহণ কৰা হয় যে বেজবৰুৱাৰ সকলোখিনি গ্ৰন্থ বা অপ্ৰকাশিত পুথি আৰু প্ৰবন্ধ-সমূহো একেলগ কৰি অসম সাহিত্য সভাই সম্পাদন কৰিব আৰু এই গ্ৰন্থ সাহিত্য প্ৰকাশে প্ৰকাশ কৰিব। ৩।৯।৬৬ তাৰিখে ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাদেৱৰ সভাপতিত্বত বহা শতবাৰ্ষিকী সমিতিৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কাৰ্য্যনিৰ্ব্বাহক সমিতিয়েও এই সিদ্ধান্ত অনুমোদন কৰে।

সিদ্ধান্ত অনুসৰি গ্ৰন্থাৱলী সম্পাদনাৰ বাবে অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱক মুখ্য সম্পাদক হিচাপে লৈ এটি সম্পাদনা সমিতি গঠন কৰা হয়। সমিতিৰ অন্যান্য সদস্যসকল হ'ল ডঃ শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা, ডঃ শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য আৰু অধ্যাপক শ্ৰীযোগেশ দাস আৰু সাহিত্য প্ৰকাশৰ এজন প্ৰতিনিধি। গ্ৰন্থাৱলীৰ বাবে কিছুমান পুৰণি সমল সা-সংগ্ৰহৰ ক্ষেত্ৰত বিশেষ সহায়ক হিচাপে পিছত মুখ্য সম্পাদক অধ্যাপক হাজৰিকাৰ পৰামৰ্শ অনুসৰি অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী আৰু অধ্যাপক শ্ৰীলীলা গগৈকো অন্যতম সদস্য হিচাপে কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে মনোনীত কৰে।

আধুনিক অসমৰ উদ্যোগী পুৰুষসিংহ শ্ৰীৰাধাগোবিন্দ বৰুৱা ডাঙৰীয়াৰ নেতৃত্বত সাহিত্যৰথী বেজবৰুৱাৰ দৰে এগৰাকী যুগস্ৰষ্টা সাহিত্যিক মনীষীৰ সমুদায় ৰচনাৱলী একেলগে প্ৰকাশ কৰাৰ গৌৰৱ সাহিত্য প্ৰকাশে বহন কৰিব পৰাটো আমাৰ সকলোৰে কাৰণে নিশ্চয় আনন্দৰ বিষয়। ইতিমধ্যে সাহিত্য প্ৰকাশে সাহিত্যৰথীজনাৰ কেবাখনিও পুথি প্ৰকাশ কৰাৰ উপৰিও কেবাগৰাকী লব্ধপ্ৰতিষ্ঠ সাহিত্যিকৰ গ্ৰন্থ বাহিৰলৈ আগবঢ়াই সাহিত্যজগতৰ ডাঙৰ অভাৱ পূৰণ কৰিছে। অসম সাহিত্য সভাই গ্ৰন্থাৱলী সম্পাদনাৰ ক্ষেত্ৰত অভিভাৱক হিচাবে এই কাৰ্য্য সম্পাদন কৰাত নিশ্চয় ত্ৰুটি কৰা নাই। বেজবৰুৱা শতবাৰ্ষিকীৰ প্ৰকাশন আঁচনিত সাহিত্য সভাই দিয়া প্ৰচেষ্টাৰে বাবৰন পুথি প্ৰকাশ কৰাৰ উপৰিও গ্ৰন্থাৱলীৰ

বাহিৰে আৰু দুখনি পুথি সম্পাদনা কৰি দিছে। এনেদৰে ভৱিষ্যতলৈও সাহিত্য সভা আৰু প্ৰকাশ প্ৰতিষ্ঠানসমূহৰ লগত সংযোগ ৰক্ষাৰ মাজেদি উভৈহতীয়া প্ৰচেষ্টাৰে বহুতো প্ৰয়োজনীয় কাৰ্য্য নিশ্চয় সম্পন্ন কৰিব পৰা হ'ব বুলি আমি এতিয়া আশা কৰিব পৰা হৈছোঁ।

গ্ৰন্থাৱলীখনৰ সমল সংগ্ৰহ কৰি ভালদৰে সজাইপৰাই আৰু সকলোখিনি সম্পাদনা কৰাৰ বাবে মুখ্য সম্পাদক অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ডাঙৰীয়াৰ শ্ৰমৰ তুলনা কৰিব নোৱাৰি। এই ক্ষেত্ৰত সাহিত্য প্ৰকাশৰ শ্ৰীশশী শৰ্মাৰ কথাও বিশেষভাৱে উল্লেখ কৰিব লাগিব। আচলতে গ্ৰন্থাৱলী প্ৰস্তুতিৰ পিছত শ্ৰীশৰ্মাৰ আন্তৰিক প্ৰচেষ্টাৰ কথা পাহৰিব নোৱাৰাকৈ মনত থাকিব। গ্ৰন্থাৱলীখনৰ ছপা প্ৰসঙ্গত সভাৰ হৈ সহায় কৰোঁতা আৰু বিশেষকৈ প্ৰধান সম্পাদকৰ হৈ সাহিত্য প্ৰকাশ আৰু মুখ্য সম্পাদকৰ লগত যোগসূত্ৰ হিচাপে থাকি দায়িত্ব সম্পন্ন কৰা অধ্যাপক শ্ৰীযোগেশ দাসৰ কথাও এইখিনিতে কৃতজ্ঞতা সহকাৰে উল্লেখ কৰিছোঁ।

প্ৰসঙ্গক্ৰমে এইখিনিতে উল্লেখ কৰিব পাৰি যে আমি ৰাজ্য চৰকাৰক গ্ৰন্থাৱলী প্ৰকাশৰ বাবে অন্যূন ৫০ হাজাৰ টকাৰ অনুদান বিচাৰি প্ৰস্তাৱ দিছিলোঁ। এই বিষয়ত সাহিত্য প্ৰকাশৰ অন্যতম গুৰিয়াল শ্ৰীপ্ৰদীপ বৰুৱাইও মুখ্যমন্ত্ৰীৰ লগত হোৱা আলোচনাত সাহিত্য সভাৰ প্ৰতিনিধি দলৰ লগত সহযোগ কৰে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই অৱশ্যে চৰকাৰে আৰ্থিক সাহায্য দিব নোৱাৰিলেও শিক্ষানুষ্ঠান আৰু পুথিভঁৰালৰ বাবে গ্ৰন্থাৱলী কিনি প্ৰকাশকক উৎসাহ দিয়াৰ ওপৰত গুৰুত্ব দিয়ে। বৰ্ত্তমান সাহিত্য সভাৰ উদ্যোগত শিক্ষানুষ্ঠানসমূহত 'বেজবৰুৱা চ'ৰা' প্ৰতিষ্ঠাৰ প্ৰস্তুতি চলিছে আৰু চৰকাৰেও এই কাৰ্য্যত অনুমোদন জনাই বিভাগীয় নিৰ্দ্দেশ প্ৰচাৰ কৰিছে। সেই বাবে আমাৰ বিশ্বাস, ৰাইজ আৰু চৰকাৰৰ উদাৰ পৃষ্ঠপোষকতাত বেজবৰুৱা গ্ৰন্থাৱলীয়ে যথেষ্ট পৰিমাণে সমাদৰ পাব।

সদৌ শেষত জাগ্ৰত অসমৰ বাবে প্ৰেৰণাৰ উৎস এই গৰাকী সাহিত্যৰথী বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকীৰ পৱিত্ৰ সোঁৱৰণীত আমিও এই আশা নিশ্চয় কৰিছোঁ যাতে সাহিত্য সভা, প্ৰকাশ প্ৰতিষ্ঠান, পঢ়ুৱৈ সমাজ আৰু পৃষ্ঠপোষকসকলৰ মাজত প্ৰকৃত সমন্বয় সংঘটিত হয়। এনে ধৰণৰ সমন্বয়ৰ মাজেদিহে আমি নিশ্চয় আমাৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সুদৃঢ় বুনিয়াদ ৰচনা কৰি আমাৰ জাতীয় জীৱনৰ মনোময় ৰূপ চাবলৈ সক্ষম হ'ম।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট—১
২৫ আগষ্ট : ১৯৬৮

শ্ৰীহৰি প্ৰসাদ নেওগ,
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা।

আমাৰ দুআষাৰ

১৯৪৮ চনৰ ছেপ্টেম্বৰ মাহৰ কথা। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জোঁৱায়েক ৺ৰোহিণী কুমাৰ বৰুৱাক এদিন আসাম ট্ৰিবিউনৰ সাহিত্য-প্ৰকাশৰ স্বত্বাধিকাৰী শ্ৰীৰাধাগোবিন্দ বৰুৱাই ডিব্ৰুগড়ৰ ঘৰত লগ ধৰি কয় যে বেজবৰুৱাৰ ৰচনা সমূহ লোপ পোৱাৰ উপক্ৰম হৈছে। অসমৰ বাহিৰে ৰসৰাজৰ ৰচনা আজিও বিচাৰে। যেনে কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰ, শৰৎচন্দ্ৰ চট্টোপাধ্যায় আদিৰ ৰচনা সমূহৰ কিমান আদৰ আমি তাক দেখি আছো। সেইদৰেই বেজবৰুৱাৰ ৰচনা সমূহো উলিয়াব লাগে বুলি ৺ৰোহিণী কুমাৰ বৰুৱাক অনুৰোধ জনোৱাত তেখেতে ক'লে যে নিজৰ ব্যস্ততাৰ কাৰণে তেনে দায়িত্ব তেখেতে লোৱাটো সম্ভৱ নহ'ব। গতিকে শ্ৰীৰাধাগোবিন্দ বৰুৱাকে সেই ভাৰ লবলৈ তেখেতে অনুৰোধ জনালে।

সেই অনুৰোধ ৰক্ষা কৰিয়েই 'সাহিত্য প্ৰকাশ'ৰ যোগেদি এই দায়িত্ব লোৱা হ'ল। বেজবৰুৱাৰ ৰচনাৱলী প্ৰকাশ কৰাৰ পাতনি মেলা হ'ল ১৯৪৯ চনত—বুঢ়ী আইৰ সাধু প্ৰকাশ কৰি। তেতিয়াৰ পৰা এই প্ৰচেষ্টা অব্যাহত ভাৱে চলি থাকে আৰু ইতিমধ্যে সাহিত্য প্ৰকাশৰ যোগেদি বেজবৰুৱাৰ ২২ খন কিতাপ প্ৰকাশ কৰা হয়।

'সাহিত্য প্ৰকাশ'ৰ এই প্ৰচেষ্টাই নতুন প্ৰেৰণা পালে বেজবৰুৱা শতবাৰ্ষিকী উৎসৱ উদ্‌যাপনৰ আচনিৰ পৰা। অসম সাহিত্য সভাই সহযোগিতাৰ হাত আগবঢ়াই দিয়াত 'সাহিত্য প্ৰকাশ'এ নতুন প্ৰেৰণা লৈ শতবাৰ্ষিকী উপলক্ষে বেজবৰুৱা ৰচনাৱলী দুটা খণ্ডত একত্ৰিত কৰি প্ৰকাশ কৰাৰ দায়িত্ব ল'লে। অসম সাহিত্য সভাই সম্পাদনাৰ দায়িত্ব লোৱাত আমি এই কামত অধিক উৎসাহিত হ'লো। মানুহৰ জীৱনৰ প্ৰকৃত জোখ দিয়ে—কামে, বয়সে নহয়। বেজবৰুৱাৰ প্ৰকৃত জীৱনৰ জোখো আমি কামৰ মাজতহে পাম। একেজন লোকেই সাহিত্যৰ অপাৰ সম্ভাৰ অসমীয়া জাতিলৈ এৰি থৈ গ'ল। তেখেতৰ জীৱন কালতে তেখেতে নিজেই ২৫ খন কিতাপ প্ৰকাশ কৰে। তেখেতৰ লোকান্তৰৰ পিচতো কেইখন মান কিতাপ প্ৰকাশ কৰা হয়। তথাপি অপ্ৰকাশিত বহুতো ৰচনা থাকি যায়। 'সাহিত্য প্ৰকাশ'এ দুটা খণ্ডত প্ৰকাশ কৰা ৰচনাৱলীৰ মাজত প্ৰকাশিত অপ্ৰকাশিত যিমান খিনি ৰচনা সামৰি লব পাৰি তাৰ বাবে চেষ্টা কৰিলে।

আমাৰ এই প্ৰচেষ্টাৰ পথত বহুতৰ পৰা সহায় পোৱা হৈছিল। দুষ্প্ৰাপ্য পুথি সমূহ সংগ্ৰহ কৰি দিয়াৰ বাবে কেই গৰাকী মান লোকৰ শলাগ লোৱাটো আমাৰ কৰ্তব্য। শিৱসাগৰৰ শ্ৰীযুতীন্দ্ৰনাথ ফুকনৰ পৰা

ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱনী, তেজপুৰৰ শ্ৰীমতী দীপালী ডেকাৰ পৰা বাখৰ, গুৱাহাটীৰ শ্ৰীনন্দ তালুকদাৰৰ পৰা বেলিমাৰ আৰু শিৱসাগৰৰ শ্ৰীবসন্তলাল দুৱৰাৰ পৰা ভগৱৎ কথা পুথি পোৱা হৈছিল। তেখেত সকলৈ আমাৰ আন্তৰিক শলাগ আগবঢ়ালো। অসম সাহিত্য সভাৰ তৰফৰ পৰা শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, শ্ৰীহৰিপ্ৰসাদ নেওগ আৰু শ্ৰীযোগেশ দাসে যিখিনি সহযোগিতা আগবঢ়াই আমাৰ কাম আগুৱাই দিলে তাৰ বাবেও তেখেত সকলৈ আমাৰ ধন্যবাদ জ্ঞাপন কৰিলো। লগতে 'দৈনিক অসম'ৰ সম্পাদক শ্ৰীকীৰ্ত্তিনাথ হাজৰিকাদেৱে নানা দিহা-পৰামৰ্শৰে যি সহায় আগবঢ়ালে তাৰবাবে তেখেতক আমাৰ আন্তৰিক কৃতজ্ঞতা জনালো।

আমাৰ এই প্ৰচেষ্টা কিমান ফলৱতী হ'ল, তাৰ বিচাৰ সদাশয় বাইজৰ হাতত। অজানিতে কিবা ভুল-ত্ৰুটী হলে ক্ষমা কৰে যেন। অৱশ্যে ৰবীন্দ্ৰ ৰচনাৱলী প্ৰকাশ কৰাত যিদৰে চৰকাৰী মহল আদিৰ সহযোগিতা পোৱা হৈছিল, তেনে সহযোগিতাৰ অলপ ভাগ পোৱা হলে বেজবৰুৱা ৰচনাৱলীও সৰ্বসাধাৰণৰ আৰু কাষ চপাই দিব পৰাকৈ মূল্যৰ হেৰফেৰ ঘটাব পৰা হলহেঁতেন। সেই আশা আশা হৈয়েই থাকিল।

এইখিনিতে আমাৰ তৰফৰ পৰা আৰু এটি কথা কৈ থোৱা উচিত হ'ব। আমি একেলগে দুয়োটা খণ্ড প্ৰকাশ কৰাৰ কথাকে পোনতে ভাবিছিলো। পিচে দুয়োটা খণ্ড এঘাৰশ পৃষ্ঠাৰ ভিতৰতে সামৰিব পৰা হ'ব বুলি ভবা হৈছিল যদিও প্ৰথম খণ্ডই মুঠতে প্ৰায় এহেজাৰ পৃষ্ঠাৰ হ'লগৈ। তদুপৰি সাহিত্যৰথী বেজবৰুৱাৰ ৰচনাৱলীৰ সংগ্ৰহকাৰ্যও সময় মতে হৈ নুঠিল। যিমানে বিচৰা হৈছে, সিমানে নতুন নতুন ৰচনাৱলী ওলাই আছে। সেইদেখি সময়মতে প্ৰথম খণ্ডহে প্ৰকাশ কৰিব পৰা হ'ল। দ্বিতীয় খণ্ডটো অসম সাহিত্য সভাৰ পৰৱৰ্ত্তী বাৰ্ষিক অধিবেশনৰ সময়তে প্ৰকাশ পাব।

বেজবৰুৱা শতবাৰ্ষিকী উৎযাপন কৰাত আমি এই ধৰণে ভাগ লবলৈ পাই কৃতাৰ্থ মানিছো। আমাৰ সকলোৰে এই সমবেত প্ৰচেষ্টাই যেন অসমৰ আকাশত আশাৰ পোহৰ বিলায়। সকলোৰে কণ্ঠত যেন মুখৰিত হৈ উঠে—

বাজক দবা বাজক শংখ বাজক মৃদং খোল
অসম আকৌ উন্নতি পথত জয় আই অসম বোল।

সাহিত্য প্ৰকাশ

দ্বিতীয় সংস্কৰণৰ বিষয়ে দু-আষাৰ

'বেজবৰুৱা-গ্ৰন্থাৱলী'ৰ প্ৰথম আৰু দ্বিতীয় খণ্ডৰ প্ৰথম সংস্কৰণ শেষ হোৱা কিছুদিন হ'ল যদিও গ্ৰন্থাৱলীৰ দুয়োখণ্ডৰ বৃহৎ কলেবৰে দ্বিতীয় সংস্কৰণৰ ছপাৰ কাম হাতত লোৱাত কিছু বাধাৰ সৃষ্টি কৰিছিল। কিন্তু সাহিত্যানুৰাগী ৰাইজৰ প্ৰবল আগ্ৰহে সেই বাধা উঠুৱাই দিলে। ৰাইজৰ প্ৰবল আগ্ৰহৰ ফলতেই 'বেজবৰুৱা-গ্ৰন্থাৱলী'ৰ দ্বিতীয় সংস্কৰণ প্ৰকাশ হ'ল। সেয়ে আমি আশা কৰিছো, প্ৰথম সংস্কৰণৰ দৰে দ্বিতীয় সংস্কৰণেও ৰাইজৰ প্ৰভূত সঁহাৰি পাব।

বেজবৰুৱাদেৱৰ কিছু ৰচনা গ্ৰন্থাৱলীৰ এই দুটা খণ্ডত সামৰি ল'ব পৰা নাই। আশা কৰিছো, তৃতীয় খণ্ডত বাকী থকা ৰচনাবোৰ সামৰি লব পাৰিম। 'বেজবৰুৱা-গ্ৰন্থাৱলী'ৰ তৃতীয় খণ্ডটো অতি সোনকালে ছপা কৰি ৰাইজৰ হাতত দিবলৈ আমাৰ তৰফৰ পৰা চেষ্টাৰ অকণো ত্ৰুটি কৰা নহ'ব।

সাহিত্য-প্ৰকাশ

সূচী-পত্ৰ

॥ জীৱনী, ধৰ্ম্ম আৰু তত্ত্ব কথা ॥

* মোৰ জীৱন-সোঁৱৰণ— ১
* [illegible] দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন-চৰিত— ১০১
* শ্রীশংকৰদেৱ— ১৪৫
* মহাপুৰুষ শ্রীশংকৰদেৱ আৰু শ্রীমাধৱদেৱ— ২১৬
* তত্ত্ব কথা— ৩৬৩
* শ্রীকৃষ্ণ-কথা— ৪৪১
চৈতন্যদেৱ আৰু অন্যান্য— ৪১৭

॥ উপন্যাস, গল্প ॥

* পদুম কুঁৱৰী— ৫৫২
* সুৰভি— ৫৭১
* সাধুকথাৰ কুঁকি— ৬২১
* জোনবিৰি— ৬৯৩
* কেহোঁকলি— ৭০১

॥ সাধু কথা, শিশু-সাহিত্য ॥

* ককা-দেউতা আৰু নাতি লৰা— ৭৮১
* বুঢ়ী-আইৰ সাধু— ৮৫৫
* [illegible] কথা— ৯০১
* জুনুকা— ৯২৫
* [illegible]— ৯৩৩
* [illegible]— ৯৩৯

॥ জীৱনী ॥,

॥ ধৰ্ম্ম ॥ আৰু ॥ তত্ত্ব কথা ॥

* মোৰ জীৱন-সোঁৱৰণ
* ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন-চৰিত্ৰ
* শঙ্কৰদেৱ
* মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ
* তত্ত্ব কথা
* শ্ৰীকৃষ্ণ-কথা
* চৈতন্যদেৱ ... আৰু অন্যান্য

মোৰ জীৱন-সোঁৱৰণ

প্ৰথম ভাগ

প্ৰথম অধ্যায়

কোন শকৰ কোন তাৰিখে মোৰ জন্ম হৈছিল, মোৰ মনত নাই। পিতৃ-মাতৃৰ মুখৰপৰা সেইটো সৰুতে শুনিছিলোঁ যদিও পাহৰিলোঁ। মই ডাঙৰ হলোঁ যেতিয়া মনতে এটা শক তাৰিখ সাজি লৈ, মোৰ জন্মৰ শক-তাৰিখ নিদিলে নচলা কাৰ্য্যবোৰৰ নিমিত্তে সেইটোকে ব্যৱহাৰ কৰিছিলোঁ। কাৰবাক লাগিলে, সেই শক-তাৰিখটোকে এইখিনিতে দিব পাৰোঁ। যথা—১৮৬৮ খৃষ্টাব্দ; নবেম্বৰ মাহ। কিন্তু ইয়াৰ দ্বাৰায় কাৰ কি লাভ বা লোকচান হব কব নোৱাৰোঁ। এই পৃথিৱীত মোৰ প্ৰদত্ত এই শকটোৰ দুবছৰ নাইবা চাৰি বছৰৰ আগতে, নাইবা পিছতে, মই অন্নাম্বুৰ ধ্বংস কৰিবলৈ জন্ম লোৱাৰ বাতৰি শুনি, জানি, ভণি, তাৰ দ্বাৰায় এই মনুষ্য-লোকৰ কিবা হানি-বিঘিনি বা উপকাৰ-অনুপকাৰ হব বুলি মোৰ মনে নধৰে।

আমাৰ ঘৰত যে কাৰো জন্ম-পত্ৰিকা বা সোঁৱৰণী কৰা নহৈছিল এনে নহয়; বৰং এই ৰীতি নিখুঁতকৈ অৱলম্বন কৰা হৈছিল, আৰু এতিয়াও হৈ আহিব লাগিছে, এইটো খিৰাংকৈ জানো। মোৰো যে সোঁৱৰণী পূৰ্ব্বাপৰ প্ৰচলিত প্ৰথামতে পিতৃদেৱতাই কৰাইছিল, এইটোও নিঃসন্দেহৰূপে জানো; আৰু সেই সোঁৱৰণী, ঘৰৰ আনবোৰ লৰা-ছোৱালীৰ সোঁৱৰণীৰ দৰে অতি যতনকৈ অতি সাৱধানে এটা টোপোলাৰ ভিতৰত ৰাখি ৰখা হৈছিল, এইটোও নিঃসন্দেহ; কাৰণ সেই টোপোলাটো মই নিজ চকুৰে দেখিছিলোঁ। আমি লৰাবোৰে কিন্তু সেই টোপোলাটো সহজে খোটাখুটি কৰিবলৈ নাপাইছিলোঁ, কাৰণ পিতৃদেৱতাৰ হুকুম নাছিল। কোৱা বাহুল্য যে পিতৃদেৱতাৰ প্ৰতি আমাৰ অশেষ ভয় আৰু ভক্তি আছিল; সহজে কোনো এটা কথা কৈ তেওঁৰ কাষ চাপিবলৈ আমি ভয় কৰিছিলোঁ। তেওঁ যদি কোনো এটা কাম কৰিবলৈ আমাক হাক দিয়ে, সেইদিনে মুখকে নকৰিছিলোঁ। কোনো বিষয়ত তেওঁৰ অবাধ্য হোৱা বা তেওঁৰে সৈতে উত্তৰা-উত্তৰি কৰাটো আমাৰ সপোনৰ অগোচৰ আছিল। আমাৰ জীৱনৰ লেখ-যুজ খুপকে থোৱা সেই টোপোলাটো চুবলৈ আমাক সেইতাই মানা কৰিছে যেতিয়া,—বছ্। আমি তাৰ চিন্তা এক প্ৰকাৰ এৰিয়েই দিছিলোঁ; যদিও এইখিনিতে কোৱা আৱশ্যক যে আমাতকৈ বয়সে ডাঙৰ দুজন এজনে লুকাই-চুৰকৈ কোনো-কাচিৎ সেই টোপোলা-ৰূপী জ্ঞান-বৃক্ষৰ ফল যে নাখাইছিল, আৰু সেই ফলৰ এচকল আদচকল সেই ফলভোক্তা জনৰপৰা আমিও যে নেপাইছিলোঁ—সেইটো ন দি কব নোৱাৰোঁ।

১৮৮৬ খৃষ্টাব্দত শিৱসাগৰৰ গৱৰ্ণমেণ্ট হাই-স্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উঠি মই কলিকতাত পঢ়িবলৈ আহিলোঁ। আৰু তাৰ দুবছৰৰ পিছত—১৮৮৮ খৃষ্টাব্দত এফ-এ পৰীক্ষাত উঠিলোঁ যেতিয়া, তেতিয়া মই ভাবিলোঁ, মই আৰু আগৰ সেই "লৰাইতৰ" ভিতৰত নাই, ডাঙৰৰ শাৰীলৈ "প্ৰমোশ্যন" পাইছোঁ, এতেকে মোৰ অনেক দিনৰ আকাংক্ষা এতিয়া সহজে পূৰোৱাত আৰু কোনো বিঘিনি নঘটিব; ইয়াকে ভাবি মই কলিকতাৰ পৰা এবাৰ মোৰ সোঁৱৰণীখন খুজি দেউতালৈ চিঠি লেখিলোঁ। কিন্তু এফ্-এ পাছ মোৰ স্বৰাজ লাভ কৰিবৰ যোগ্যতাৰ বিষয়ে দেউতাৰ যদিও তেতিয়া আপত্তি নাছিল, তথাপি মোৰ দুৰদৃষ্টৰ গুণত মোৰ চিঠি পাই তেওঁ "ওলোটা বুজিলি বাম" হল। সেইতাই ভাবিলে মই মনে মনে বিলাতত পঢ়িবলৈ যাবলৈ ফন্দি কৰিছোঁ, সেই দেখিহে এতিয়া মোৰ সোঁৱৰণী লগা হৈছে। গতিকে উত্তৰত মই দেউতাৰপৰা সোঁৱৰণীৰ সলনি তাৰি আৰু বিলাত-যাত্ৰাৰ বিৰুদ্ধে অলংঘনীয় শপত পালোঁ। এই-খিনিতে আমেকে কৈ থওঁ যে যদিও [illegible]

প্ৰাৰ্থনা-ব্যাপাৰৰ কালত মোৰ বিলাত-প্ৰয়াণৰ নিচিনা কোনো দুৰভিসন্ধি নাছিল, তথাপি যে কিছুকালৰ পিছত মোৰ মনত এনে এটা অদম্য আকাংক্ষা উদ্ভূত হোৱা নাছিল, আৰু সেই আকাংক্ষা পূৰ্ণ কৰিবলৈ চেষ্টা কৰা ও নাছিলোঁ, মন খুলি এনেকৈ কব নোৱাৰোঁ। কিন্তু এইটোও কওঁ যে তেতিয়াও পিতৃদেৱতাৰ অলংঘনীয় শপতে মোৰ সেই দুৰ্দান্ত আকাংক্ষাৰ "উটিছুৰ মকত চড়ি কেশত ধৰি তাৰ ঘণ্টা নাড়ি" পিতৃ-ভক্তিৰূপ জগতৰ ভৰ দি তাক মাৰি মোৰ মন-সমজ্যাত পেলাই চোচোৱাই লৈ কুৱাবলৈ নেৰিছিল। পিতৃদেৱতা চুকুৱাৰ পিছত, প্ৰপিতামহ পিতামহ দেৱতাসকলৰ দিনৰে পৰা সংগৃহীত আৰু পিতৃদেৱতাৰ দ্বাৰায় অতি যত্নেৰে পৰিবৰ্দ্ধিত, আমাৰ ঘৰৰ মূল্যবান অসংখ্য পুৰণি পুথিবোৰেৰে সৈতে সেই সোঁৱৰণীৰ টোপোলাটো কলৈ গল, আজিলৈকে মই নাজানো। ইত্যাদি কাৰণত, মোৰ জন্ম-শকৰ সম্পৰ্কে মোৰএই অজ্ঞতাৰ ইতিবৃত্ত, আৰু স্বেচ্ছাপ্ৰদত্ত কৈফিয়ৎ, যদি কোনোবাই বিচাৰে, সেইজনৰ সন্তোষৰ নিমিত্তে এইখিনি দিয়া গল; নতুবা ই অনাৱশ্যক আৰু অবান্তৰ মাথোন।

মোৰ জন্মস্থান। ক'ত সেই important অৰ্থাৎ সাকৰা ঘটনা ঘটিছিল, মই থিৰাংকৈ কব নোৱাৰোঁ। জীৱিতসকলৰ ভিতৰত কোনোৱে কব পাৰে বুলিও মই বিশ্বাস নকৰোঁ। ইয়াৰ কাৰণটো কি, অৱশ্যে মই কবলৈ বাধ্য। মোৰ জন্ম-বিৱৰণ যিটো মোৰ শ্ৰুতিগোচৰ হৈছিল, সেইটো নিম্নলিখিত প্ৰকাৰ—

৺পিতৃদেৱতা মুন্সেফ কামত নগাঁৱৰ পৰা বৰপেটালৈ বদলি হৈ নাৱেৰে গৈছিল। সেই কালত আসামত আজিকালিৰ নিচিনা জাহাজ চলাচল যে নাছিল, সেইটো কোৱাই বাহুল্য। আঁহতগুৰি নামেৰে এডোখৰ ঠাইৰ বালিত গধূলি নাও বন্ধা হল। ৺মাতৃদেৱীয়ে বালিত আঁৰ-কাপোৰৰ ভিতৰত ভাত ৰান্ধিবলৈ সোমাইছিল, এনেতে তেওঁৰ গা বেয়া কৰাত, তেওঁ ভাত ৰান্ধিবলৈ এৰি, নাৱৰ কুঠিলৈ আহিল, আৰু আজিৰ এই জীৱন-সোঁৱৰণ-লেখক তেতিয়াৰ কোনো এক শুভ মুহূৰ্ত্তত ভূমিষ্ঠ হৈ লোকান্তৰ হল। শুনিছিলোঁ, সেইদিনা হেনো পূৰ্ণিমা আৰু ৺লক্ষ্মীপূজা আছিল, সেই দেখিয়েই এই লেখকৰ নাম পিছত লক্ষ্মীনাথ ৰখা হৈছিল। বিৱৰণটোৰ গচ্-গতি এই। আঁহতগুৰিৰ কাষৰ ব্ৰহ্মপুত্ৰৰ সেই ভাত ৰন্ধা বালি কেতিয়া তল গল, সেই বালিৰ গৰা, সেই চাপৰি বহাই শান্তনু-কুল-নন্দন অমোঘ-গৰ্ভসম্ভূত লৌহিত্যই আকৌ কেতিয়া তাক ক'ত পাতিলে, মোৰ ভাব-সহোঁতা ব্ৰহ্মপুত্ৰৰ সেই চলন্তা পানী কলৈ বৈ গল, কাঠৰ সেই নাওখন মোৰ জন্ম-কুঠিটিৰে সৈতে কেতিয়া ক'ত পচি ক্ষিতি-হিৰি কোন পঞ্চভূতত বিলীন হল, কোনে জানে, কোনে কব পাৰে? হয়তো ব্ৰহ্মপুত্ৰৰ সেই চলন্তা পানী সাগৰত পৰি, কালক্ৰমত উভি আকাশলৈ উঠি, ডাৱৰ হৈ বতাহৰ কোবত আকৌ আহি ব্ৰহ্মপুত্ৰত বৰষুণৰূপে পৰি বৈ গৈ আকৌ সমুদ্ৰত পৰি, আকৌ কতবাৰ সেই পৰিবৰ্ত্তনৰ খেল খেলিছে; আৰু হয়তো তাৰে এটোপা গোটাদেক কৃষ্ণবৰ্ণ দ্ৰব্যৰে সৈতে মিশ্ৰিত হৈ আজি এই লেখকৰ দোৱাতত সোমাই কাপৰ আগেদি ওলাই আহি এই তুলাপাতত লেখকৰ জীৱন-সোঁৱৰণ লেখাৰ সহায়ক হৈ পৰিছে, কোনে জানে, কোনে কব পাৰে?

আমাৰ আসামত ল'ৰা উপজিলে উৰুলি দিয়ে, শঙ্খ ঘণ্টা বজায়, ৰৰ-কাঁহ কোবায়, ছোৱালী উপজিলে ঢেকি কোবায়, কুলা বজায়। প্ৰৱস্থা বালিৰ ওপৰত মোৰ জন্মোৎসৱ উপলক্ষে কোনে কি কৰিছিল, কব নোৱাৰোঁ; কিন্তু মোৰ এজন ককাই-দেৱে হেনো "আজিৰ পৰা আমি পাঁচোটা হলোঁ" এই বুলি আনন্দত টিকা চপৰিয়াই চপৰিয়াই বালিৰ ওপৰত ডেও পাৰি নাচি ফুৰিছিল, এইটো হলে মই ডাঙৰ হলত শুনিছিলোঁ।

বৰপেটাত পিতৃদেৱতা মুন্সেফ হৈ তিনি বছৰমান আছিল। বৰপেটাৰ স্মৃতিৰ ভিতৰত মোৰ মাথোন চাইটা কথা ধুঁৱলি-কুঁৱলিকৈ মনত আছে:—

১মটো।—বৰপেটাত বাৰিষা বছৰি নৈৰ পানীৰ ঢলে ছহৰখন প্ৰায় তল নিয়ায়। এবাৰ তেনেকুৱা ঢলত আমাৰ ঘৰৰ চোতালতো একাঁঠুৱা পানী হৈছিল, আৰু সেই পানীত নামি মই মোৰ লগৰীয়া ভাগিন আৰু ককাইদেওসকলেৰে সৈতে ওৰে দিনটো খেদ্‌খেদাই আছিলোঁ। সেই কথা গধূলি দেউতাই কাছাৰীৰ পৰা আহি শুনি তেওঁলোকক আৰু মোকো ধৰি চেকনিৰে কোবাইছিল।

২য়টো।—তেনেকুৱা বৰপানীত কৰবালৈ দেউতাৰে সৈতে আমি নাৱেৰে যাওঁতে দেখিছিলোঁ,—কিছুমান বনৰীয়া ম'হ সাঁতুৰি গৈছিল, আৰু দূৰৈৰ পৰা সিহঁতৰ ক'লা শিংবোৰ মাথোন দেখা গৈছিল।

৩য়টো।—দেউতাৰে সৈতে আমি বৰপেটাৰ কীৰ্ত্তন-ঘৰলৈ গৈছিলোঁ। কীৰ্ত্তনঘৰৰ বৰখুটা, বৰগছা আৰু কাখিত অৰ্থাৎ বহল পিৰালিত বহি, বুঢ়া ভকতসকলে নাম গোৱা দেখিছিলোঁ। কীৰ্ত্তন ঘৰৰ বিষয়ে এই তিনিটা কথাৰ সাঁচ আজিলৈকে মোৰ মনত পৰি আছে।

৪ৰ্থটো।—[illegible] হাতীত বৰবৰাৰ আতৈৰ [illegible] ভিতৰত হাতীদুৱৰীয়া [illegible] ম'হৰ এঠা লৈ [illegible] আৰু এখাবোঠা [illegible]। [illegible]

খোকা-চাউল বা কোমল-চাউলৰ জলপান খাই-ছিলোঁ।

ৰৰপেটাৰ পৰা পিতৃদেৱতা তেজপুৰলৈ বদলি হৈ আহে; আৰু লগে লগে তেওঁৰ উপসৰ্গ আৰু প্ৰত্যেয় সকলোবোৰ যায়। নাৱেদি আহোঁতে বাটত দেউতাই আঙুলিয়াই আমাক দেখুৱা মনত আছে,—"সৌটো হাতীমূৰা পৰ্ব্বত। সৌটো পোৱা পৰ্ব্বত। সৌটো শিজৰি পৰ্ব্বত।" ইত্যাদি।

মনত আছে,—এদিন আমাৰ নাও পৰ্ব্বত এটাৰ কাষেদি উজাই আহোঁতে দেখিবলৈ পোৱা গল যে এজনী মাইকী পহু নৈৰ পাৰৰ ঝুৰ্‌কিত মৰি পৰি আছে। নাও ওচৰ চাপিলত, পহুজনী নাৱৰীয়াহঁতে টানি আনি নাৱৰ আগ-চৰঠত তুলিলে। দেখি অনুমান হল, জলপান বেলিৰ আগতে বাঘে পহুজনী মাৰিছিল; কাৰণ বাঘৰ কামোৰৰ ন সাঁচ তাইৰ গাত জাজ্বল্যমান, আৰু তাৰপৰা তেতিয়াও তেজ টোপাটোপে বৈ আছিল। বোধ কৰোঁ, পৰ্ব্বতৰ গাত বাঘে পহুজনী ধৰিছিল, আৰু দুয়ো দৰবা-দৰবিকৈ বাগৰি আহি পানীৰ খুঁৰলিত পৰিছিল; এনেতে আমাৰ নাও অহা দেখি বাঘটো আঁতৰি গল। যি হওক, আমাৰ নাৱৰ নাৱৰীয়াহঁতৰ আৰু লগুৱাকেইটাৰ মহা আনন্দ মিলিল যে সিহঁতে গোট পহু এটা পাইছে, হেঁপাহ পলুৱাই পেট ভৰাই খাব। আমি লৰাবোৰৰ মনতো যে তেনেকুৱা ভাবৰ সঞ্চাৰ নহৈছিল এনে নহয়; কিন্তু নাৱৰীয়া আৰু লগুৱাহঁতৰ অভিলাষ পূৰ্ণ হল, আমাৰ নহল; কাৰণ পহু মাইকী, সেই দেখি দেউতায়ো নাখালে, আৰু আমাকো খাবলৈ নিদিলে। বালকবৃন্দৰ মৃগ-মাংস ভোজনৰ প্ৰবল প্ৰবৃত্তি এইদৰে পৰাভূত হল। জীৱিত অবলা জাতীয় প্ৰাণীৰ প্ৰবল শক্তিৰ কথাই নাই, মৃত অবলাও কেনে প্ৰবলা সেইটোৰ প্ৰমাণ আমি হাতে হাতে পালোঁ।

তেজপুৰলৈ আহি আমি ক'ত উঠিছিলোঁ, কাৰ ঘৰত আছিলোঁ, আৰু কেতিয়া নিজৰ স্বকীয়া ঘৰলৈ গলোঁহঁক, মোৰ একো মনত নাই। মাথোন তেজ-পুৰৰ পৰ্ব্বতৰ ওখ-চাপৰ টিলাবোৰ, আৰু বঙা বাট-পথবোৰ দেখি মোৰ মনত যে নতুন ৰং লাগিছিল, সেইটোহে মনত আছে। তেজপুৰৰ আৰু গোটা-চেৰেক কথা মনত আছে; যথা—(১) আমাৰ ঘৰৰ কাষতে মুকলি ঠাই এডোখৰত ফুলৰ সুগন্ধ ফুলেৰে ভৰি থকা চেপাই-তিতাৰ সৰু সৰু গছবোৰ। (২) দেউতাৰে সৈতে আমি নিৰামুল সমলৈ যোৱা। (৩) তেজপুৰত এজন কুমাৰপীও আছিল; কুমাৰ-বোৰ গড়তে আমাৰ ঘৰলৈ আহিছিল, আৰু সিহঁতে আমাৰ আমাক মাটিৰ ভুলুকা আৰু ভুলুকা টানিবলৈ দিছিল। (৪) তেজপুৰতে মোৰ ভাই লক্ষ্মণৰ জন্ম হৈছিল; আৰু লক্ষ্মণ ওপজাৰ দিন চেৰেকৰ পিছতে আমাৰ আহিনী নামৰ ধাইজনীৰ লৰা এটা হৈছিল। আৰু মনত আছে, লক্ষ্মণক বিলাতী 'পিৰেম্বুলেটৰ' গাড়ীত তুলি ফুৰাবলৈ নিয়া দেখি আহিনীৰ পুত্ৰেক টোবাৰে সেই গাড়ীত উঠিবলৈ খৰকৈ কান্দিছিল; সেই বাবে দেউতাই বাঢ়ৈ এটা মতাই আনি তাৰ হতুৱাই কাঠৰ মিলা দিয়াই কাঠৰ সৰু মুকলি পেৰা এটাৰ গাড়ী এখন সজাই টোবাৰকো তাত উঠি ফুৰিবলৈ দিহা কৰাই দিছিল; আৰু গাড়ীত উঠি টোবাৰৰ যি মহানন্দ হৈছিল, সেইটো দেখি দেউতাই মহানন্দ পাইছিল।

আমাক ফুৰাব-মেলিবলৈ আৰু সততে আমাৰ তত্বাৱধান কৰিবলৈ আমাৰ দূৰ-সম্পৰ্কীয় ককা এজন আছিল, তেওঁৰ নাম ৰবিনাথ মাজুদলৈ ৰৰুৱা। তেওঁৰ ঘৰ যোৰহাটৰ পকামুৰা নৌজাত। তেওঁ যদিও সম্পৰ্কত আমাৰ ককা, কিন্তু বয়সত আমাৰ দেউতাতকৈ অনেক সৰু। তেওঁ আমাৰ যোৱাজিৰ লগৰীয়া, কাৰ্য্যৰ অভিভাৱক, সাধুকথাৰ কুঁকি, আৰু মহাভাৰত ৰামায়ণ আদি পুৰাণৰ গল্পৰ টোপোলা আছিল। তেওঁ আমাক পথুলি পুৰাণ, মহাভাৰত, ৰামায়ণ আদিৰপৰা ভাল ভাল উপাখ্যান সাধুকথাৰ গঢ়েৰে এনে মন-মোহাকৈ বৰ্ণাই কৈছিল, যে আমি শুনি পৰমানন্দ লভি ভোঁ হৈ থাকোঁহঁক। পুৰাণৰ কাহিনীৰ বাহিৰেও ককাই আমাক ৰজা, প্ৰজা, ভূত, প্ৰেত আদিৰ সাধুও কৈ আমোদ আৰু ভয় প্ৰদান কৰিছিল। আমি কান্দিলে, তেওঁ "মৰ-বুঢ়া", "মাজু-বুঢ়া" আৰু "সৰু-বুঢ়া" এই তিনি বুঢ়াৰ সাধুত এনে ৰহণ সানি ভয়ঙ্কৰকৈ কৈছিল যে আমি শুনি কন্দা এৰি ভয়তে টেপ্‌ খাইছিলোঁহক। এদিন আলিবাটেদি যোৱা এটা অদ্ভুত গঢ়েৰে কাপোৰ পিন্ধা দৰ্চীয়া বুঢ়া মানুহ দেখি তেওঁ আমাক মাতিলে, "লৰাহঁত! চাইকচোন, সৌটো মাজু বুঢ়া যাব লাগিছে।" আমি লৰি গৈ "মাজু-বুঢ়া"ক সোঁ-শৰীৰেৰে যোৱা দেখা পাই এনে ভয় খাইছিলোঁ, যে আমি কন্দা-কটা, তেও পৰা আৰু দুটামিৰে সৈতে এমাহমানলৈকে সম্পৰ্ক পৰিত্যাগ কৰিছিলোঁ-হঁক; আৰু আমাক ধৰি নিবলৈ "মাজু-বুঢ়া"ক যেন তেওঁ আৰু নকয়, আমি আৰু কেতিয়াও নাকান্দো, দুষ্টালি নকৰোঁ, এই কথা লগাই লগাই কৈ ককাক কাকৌ কৰিছিলোঁ। আমাৰ সৰ্ব্বতো-ভাৱে এনে পৰাজয় আৰু নিজৰ জয় ককাই সম্পূৰ্ণ-ৰূপে উপভোগ কৰিছিল। কিন্তু পৰাজয়ৰ হীনতাৰ ভাৱ আমাৰ মনত সৰহ দিন থাকী হৈ নাছিল, আৰু হোৱাটো সম্ভৱো নহয়। অচিৰতে আমাৰ খাটোঁতা কুৰ্মীয়া মনৰ পছোৱাত মাজু-বুঢ়া-বয়নাৰৰ

খিতীখিকা কৰবালৈ উৰি গল। ককাই মাজু-বুঢ়া আহিছে বুলিলেই আমি মাজু-বুঢ়াক সাং কৰিবলৈ লাখুটি জোকৰা হৈ উঠিলোঁ।

সুবিধা পালেই আমি ককাক জোকাবলৈ নেৰি-ছিলোঁ। আমি বালকবৃন্দই এদিন তেওঁৰ মূৰত দুডাল কি এডাল পকা-চুলি আৱিষ্কাৰ কৰিলোঁহক। একে জাপেই তেওঁৰ কাষৰপৰা আঁতৰি আমি দল বান্ধি হাত-চাপৰি বাই নাচি গাবলৈ ধৰিলোঁ— "ককা বুঢ়া হল। ককা বুঢ়া হল।" যদিও ককাই ততালিকে আমাৰ হতুৱাই পকা চুলি কেইডাল নির্মূল কৰোৱালে, তথাপি সেইদিনাৰপৰা আমি দূৰৰপৰা এটা ককৰা মাতি তেওঁক জোকাই তেওঁৰ খং তুলিবলৈ আৰু তেওঁক আমাৰ কালে চোচা লোৱা দেখি গির্জনি মাৰি হাঁহি ফিৰিঙতি ভগাদি ভাগি পলাই পত্রং দিবলৈ নাপাহৰিছিলোঁ। ককাক আমনি কৰা ককৰাটো আমি লৰাবোৰৰ ভিতৰৰ কাৰো দ্বাৰায় বিৰচিত নহয়, কাৰণ তেনে ৰচনা সেই বয়সত আমাৰ দ্বাৰায় ৰচিত হোৱাটো সম্ভৱ নাছিল। ককাৰ মূৰত পকা চুলিৰ আকস্মিক আবির্ভাৱৰ বাতৰি আমাৰপৰা অৱগত হৈ ককাৰ কোন বিপক্ষদলৰ কোন প্রতিভাশালী ৰসিকে ককাৰ পকা চুলিৰ বিৰুদ্ধে সেইটো ৰচনা কৰি আমাক শিকাই দিছিল মোৰ মনত নাই; কিন্তু ককাৰ খং তুলি চাবৰ সপক্ষে এনে ব্রহ্মাস্ত্র আমাৰ হাতত আৰু আন এটা নাছিল।

ককাক দেউতাই নাম কাঢ়ি নামাতি মাজুদলৰ বৰুৱা বুলি মাতিছিল। তেওঁলোকৰ ঘৰে ৰজা-ঘৰৰপৰা সেই বিষয় পাইছিল। দেউতাৰ গোসাঁই-ঘৰত মূর্ত্তি আৰু শালগ্রাম পূজা কৰাৰ ভাৰ ককাৰ গাত আছিল, আৰু আমাৰ নাম-প্রসঙ্গৰ অন্তত দেউতাকে প্রমুখ্য কৰি আমাক সকলোকে দীঘলীয়া আশীর্ব্বাদ মাতি আশীর্ব্বাদ কৰিবৰ ভাৰটোও তেওঁৰ গাত আছিল। ককাৰ আশীর্ব্বাদৰ দীঘলীয়া গৎ আজিলৈকে মোৰ মনত আছে।

ককা পুৱাই সোনকালে শোৱাপাটীৰপৰা উঠিব নোৱাৰিছিল, অথচ আমাৰ পিতৃদেৱতা early riser, ব্রাহ্ম মুহূর্ত্তত দেউতাই শয্যা ত্যাগ কৰিছিল। কাকো বেলিকৈ শুই থকা দেখিলে দেউতা বৰ অসন্তুষ্ট হৈছিল। বেলিকৈ শুই থকা ককাক সেই দেখি দেউতাই ডাবি-ধমকি দি শোৱাপাটীৰপৰা তোলাটো দেউতাৰ নিত্যকর্ম্মৰ দৰে হৈ পৰিছিল। সেই সময়ত ককাৰ প্রতি দেউতাৰ সম্বোধনবোৰ আছিল—"টোপনি-গধূৰ।" "গা-গধূৰ"। ইত্যাদি। ককা কিন্তু নিদ্রাসুখত অটল স্বভাৱৰ আছিল। তেওঁ ডাবিও খাইছিল, মধেৰে একাধাৰ কথাও নেৰাতিছিল আৰু লগে লগে "টোপনিৰ চিকুণ পুৰা" এই বিচক্ষণ ৰচনৰ সার্থকতা সম্পূর্ণৰূপে উপলব্ধি কৰি পুৱাৰ নিদ্রা-সুখ যোল অনা উপভোগ কৰিব-লৈকে নেৰিছিল। গতিকে দেউতা আৰু ককাৰ ভিতৰত এই প্রাত্যহিক প্রাতর্যুদ্ধটো আমাৰ এটা উপভোগৰ বস্তু হৈ উঠিছিল।

আমি সকলোৱে দেউতাৰে সৈতে একে মজি-যাতে বহি ভাত খোৱা নিয়ম আছিল। আমাৰ ঘৰত ভাত খোৱা মজিয়াখনো সৰু সুৰা নাছিল; তাত কুৰি-পঁচিশজনে নিৰ্ব্বিবাদে শাৰী পাতি চাৰিও-ফালে বহি ভাত খাব পাৰে, আৰু সেইদৰে নিতৌ খোৱাও হৈছিল। দেউতা পূবফালে পশ্চিম-মুৱা হৈ বহিছিল। আন খাৰৈয়াসকল উত্তৰে-দক্ষিণে পশ্চিমে পৰস্পৰ মুখামুখি কৰি বহিছিল। ঘেঁচাৰ ওপৰত থোৱা ডাঙৰ কাঁহীত দেউতাই ভাত খাইছিল, আৰু সেই কাঁহীৰ চাৰিওকাষে তিনি-চাৰিখন আঞ্জাৰ বাটি আৰু ওচৰতে গাখীৰৰ বান-বাটি সজাই দিয়া হৈছিল। ঘেঁচা-কাঁহীত ভাত খাবলৈ বহিবলৈ খুৰা-দিয়া বৰ-পীৰা, ওচৰত মুখ ধুবলৈ বৰ চৰিয়া, আৰু খৰিকা লবলৈ খৰিকা-দানিত একোছা ভালকৈ কটা খৰিকা থোৱা হৈছিল। বাকীসকলৰ কাঁহী-বাটি মজিয়াৰ মাটিৰ ওপৰত দিয়া হৈছিল। সভাত সভাপতিৰ যি কাম, মজিয়াৰ সভাত দেউতাৰো প্রায় তেনেকুৱাই কাম আছিল। মজিয়াত হোৱা গম্ভীৰ গহৰ কথা-বার্ত্তাত দেউতাৰ সমালোচনা আৰু শেষ সিদ্ধান্ত এৰ-নীৰা। সেই মজিয়াৰ সভাত আমাৰ ককা ৰবিনাথ বৰুৱা এজন সর্ব্ববাদীসম্মত সংবাদ-দাতা আৰু সুযোগ্য বক্তা। দেউতাৰ অনুপস্থিতিত ওৰে-দিনটো ঘৰে-বাহিৰে সংঘটিত কার্য্য-কলাপবোৰৰ সংক্ষিপ্ত বা বাহুল্য বিৱৰণ ককাৰ অভিৰুচিমতে ককাই সেই সভাত দেউতাৰ আগত "পেচ" কৰি-ছিল। আমিতো লৰাৰ দলে ওৰে দিনটো চট্‌ফটাই লৰি-ধাপৰি হাঁহি-খিকিন্দালি মাৰি ফুৰোঁৱেই; আৰু দেউতা কাছাৰীলৈ যোৱাডোখৰ কাল আমাৰ ৰাম-ৰাজ্য, তেতিয়া তাৰ মাত্রা স্বভাৱতে চৰেই। ককাই প্রায় আমাৰ বাল্যক্রীড়াৰ ৰসভঙ্গ কৰি আমাক হুমিয়াৰ, "ৰ, আজি ডাঙৰীয়া আহিলে কৈ দিম।" বালক-সুলভ চপলতাৰ বশবর্ত্তী হৈ আমি অনেক সময়ত ককাৰ গুৰু-গম্ভীৰ গর্জ্জন কাণৰ বিষাত সোমাবলৈ নিদিওঁ, আৰু অনেক সময়ত, ককাই খাই-বৈ দুপৰীয়া শোওঁতে তেওঁৰ গা পিটিকি দি, নাইবা পিঠিৰ ঘামচি মাৰি দি, সেই সেৱা-শুশ্রূষাৰ ডেটাৰে তেওঁক শান্ত কৰি আগন্তুক বিপদৰ হাত সাৰোঁ। কিন্তু একো একো দিন আমাৰ দুৰ্দ্দৃষ্টৰ ফলত এনেকুৱা শান্তিপ্রদ ডেটাৰেও ককাক শান্ত কৰিব নোৱাৰে। তেওঁ বাৰুক আচাৰীলোকৰপৰা

অসঙ্কুচিতচিত্তে ভেঁটাও খায়, আৰু নিৰখুঁহাবাৰী কৰি আচাৰীৰ বিপক্ষে সাক্ষীও দিয়ে। ফলত, দোষৰ গুৰুত্ব-লঘুত্ব অনুসাৰে সেউতাৰপৰা আমাৰ দণ্ড লাভ হয়। আমাৰ দায়-দোষৰ বৃত্তান্ত মজিয়াৰ সভাত সেউতাৰ আগত "পেচ" কৰাৰ আগতে ককাৰ গাত কিছুমান পূৰ্ব্বলক্ষণ প্ৰকাশিত হয়। সেই পূৰ্ব্বলক্ষণবোৰ তেওঁৰ গাত এনেকৈ ফুটি ওলায়, যে আমাৰ তীক্ষ্ণ দৃষ্টিৰ অগোচৰ হোৱাটো এক প্ৰকাৰ অসম্ভৱ। ককাক এনে লক্ষণাক্ৰান্ত দেখিলেই আমাৰ "আহাবানল" টুটি গৈ কণ টুটি হৈ পৰে। ককাৰ মুৰটো যদিও খুৰুৱা, তথাপি মাজৰ চুলিকোছাৰ দখলত থকা ঠাইৰ ক্ষেত্ৰফল বা কালি খুৰুৱা ডোখৰৰ ক্ষেত্ৰফলতকৈ কোনোমতে ন্যূন নাছিল। তেওঁৰ দীঘল চুলিকোছাৰ আগত টিকনিৰ যিটো খোপোৰা গাঁঠি আছিল, সেইটোও পৰি মৰা বিধৰ নাছিল। ভুঁইকঁপৰ আগতে যেনেকৈ প্ৰকৃতিৰ এটা গম্ভীৰ আকৃতি দেখা যায়, আমাৰ বিৰুদ্ধে মোকৰ্দ্দমা "ৰুজু" কৰিবৰ আগতে ককাৰো তেনে এটা আকৃতি পৰিলক্ষিত হয়। মুহূৰ্ত্তেতে তেওঁৰ গলধনত, সুগন্ধ ফুল আৰু তুলসীৰ নিৰ্ম্মালিৰে বিভূষিত হৈ মহাসুখে পৰি থকা চুলিৰ অগ্ৰাবিলম্বিত গাঁঠিয়ে উগ্ৰমূৰ্ত্তি ধৰি ককাৰ হাতৰ সহায়েৰে তেওঁৰ ব্ৰহ্মতালুৰ ওপৰত উঠে, আৰু আমাৰ প্ৰতি বিৰুদ্ধ ভাব প্ৰদৰ্শন কৰি নিৰ্ম্মমভাৱে ফেৰ পাতে। এনে signal অৰ্থাৎ সাঙ্কেতিক চিহ্নই আমাক কৰলৈ আৰু বাকী নাৰাখে যে "লৰাহঁত! আজি তহঁতৰ কালে পতং!" আমাৰ বিৰুদ্ধে ককাৰ যুদ্ধযাত্ৰাৰ এইটো প্ৰথম stage বা অৱস্থা। দ্বিতীয় অৱস্থা-টোক বজ্ৰপাতৰ আগতে বিজুলীয়ে চমক মৰাৰে সৈতে বিজাৰ পাৰি। তেওঁ আমাৰ কালে চাই মূৰ দুপিয়াই আৰু দুই তিনিটা মিচিকীয়া হাঁহি মাৰে। তৃতীয় অৱস্থা—ইয়াৰ পিছতে সেউতাৰ প্ৰশ্ন—"কি হৈছিল?" চতুৰ্থ অৱস্থা—"আজি লক্ষ্মীনাথে..." ইত্যাদি অভিযোগ। পঞ্চম ষ্টেজ বা conclusion অৰ্থাৎ সামৰণি—সেউতাৰ হাতত সেইদিনাই বা পিছদিনা আমাৰ লাঞ্ছনা। যি হওক, এইটো কোৱা উচিত যে তথাপি আমি লৰাবোৰে ককাক প্ৰাণ-ভৰি ভাল পাইছিলোঁহক। কাৰণ, ককা আমাৰ ককা; আমাৰ ককা আমাৰ ধেমালিৰ লগৰীয়া, আৰু সাধুকথাৰ ভাণ্ডৰ ঘুনুপাক। এটা মহৎ গুণ ককাৰ গাত আছিল; তেওঁৰ অন্তৰটো বৰ কোমল। আমাৰ উৎপাতলিৰ বাবে সেউতাৰ হাতত মাৰ খুৱাবৰ ভুৰি যদিও তেৱেঁই হয়, কিন্তু সেউতাই আমাক একোৰ দুকোৰ লগাওঁতেই তেৱেঁই আকৌ আমাৰ ওপৰতে পৰি আমাক মাৰৰ হাতৰপৰা ৰক্ষা কৰে।

সেইডোখৰ কালত ককাৰ বয়স ৩৫-অৰ কম আৰু ৪০-অৰ ওপৰ নাছিল। কিন্তু তেতিয়াও তেওঁ অবিবাহিত। আমি যতদূৰ জানো, আগৰ দিনত অসমীয়াৰ ভিতৰত মতা মানুহে কম বয়সত বিয়া কৰোৱা দস্তুৰটো নাছিল বুলিলেই হয়। ডেকা ত্ৰিশ-পঁয়ত্ৰিশ বছৰীয়া হৈ উপাৰ্জ্জনক্ষম হলেহে তেওঁৰ বিয়াৰ চেষ্টা কৰা হৈছিল। কিন্তু কি দুখৰ বিষয় আজি-কালি বঙ্গদেশৰ চোৱে কোনোৱা বাবেই হওক নাইবা অসমীয়া ভদ্ৰসমাজৰ অৱস্থাৰ কোনো কাৰণত পৰিবৰ্ত্তন ঘটাৰ বাবেই হওক, সেই পুৰণি healthy সুস্থ প্ৰথা কমি আহি তাৰ ঠাই বঙ্গদেশৰ নিচিনা, শহুৰ-শাহুৰপৰা ধন লৈ কম বয়সত বিয়া কৰোৱা ('early marriage) ঘৃণিত প্ৰথাই অধিকাৰ কৰি আহিছে। অসমীয়াৰ ঘৰত বঙালীৰ শাড়ীৰ আক্ৰমণৰ উপদ্ৰৱৰ নিচিনা ইও এটা আধিভৌতিক উপদ্ৰৱ মাথোন। আই অসম! তুমি এই উপদ্ৰৱৰ প্ৰতিৰোধ কৰিব নোৱাৰানে? নিশ্চয় পাৰিবা। এই উপদ্ৰৱ তোমাৰ কন্যেকীয়া আত্ম-বিস্মৃতিৰ ফল মাথোন।

তেজপুৰতে এঘৰ দুখীয়া ব্ৰাহ্মণৰ ছোৱালী এজনীৰে সৈতে সেউতাই ককাৰ বিয়া পাতে। বিয়াৰ দিনাৰেপৰা ককাৰ পত্নী আমাৰ ঘৰতে থাকি ডাঙৰ দীঘল হয়। আমাৰ চটিমাটি বুঢ়ী আইক পাই আমাৰ মন আনন্দেৰে উপচি পৰিল। বুঢ়ী আয়ো সত্তৱে আমাৰ ধেমালিৰ লগৰীয়ানী হল।

দ্বিতীয় অধ্যায়

লখীমপুৰ।—তেজপুৰৰপৰা পিতৃদেৱতা লখীম-পুৰলৈ বদলি হল; আৰু আমি ছাঁবোৰো লগে লগে লখীমপুৰ পালোঁহি। আহিলেই আমি কাৰ ঘৰত উঠিছিলোঁ, মনত নাই, কিন্তু সেউতাই দহ-বাৰ দিনৰ ভিতৰতে টোল, চাপ, টাটী, চকোৱাৰে সম্পূৰ্ণ কৰি সজোৱা আহল-বহল ন ঘৰলৈ যোৱাটো মনত আছে। আৰু মনত আছে— ন ঘৰ লোৱাৰ দিনা হোৱা নাম-প্ৰসঙ্গ পূজা-সেৱাৰ উৎসৱৰ আহল-বহল উছাহটো।

আমাৰ ঘৰৰ ওচৰতে সিদ্ধেশ্বৰ নামৰ সোণাৰি এজনৰ ঘৰ আছিল। তেওঁ সোণ-ৰূপৰ অলঙ্কাৰ গঢ়া কাম কৰিছিল দেখি সকলোৱে তেওঁক সিধাই সোণাৰি বুলিছিল। যেতিয়াই সুবিধা পাইছিলোঁ, আমি সিধাই সোণাৰিৰ সোণাৰী ঘৰলৈ অভ্যাগমন কৰি ভাত বহি একাগ্ৰ মনে, তেওঁ কেনেকৈ সোণ ৰূপ মহীতে দি জাগৰী ছাপৰ ভাতীয়ে কোতুহলেৰে

ৰজাহ দি গলাই লৈ নমাই চেঁচা পানীৰ চকুত জুবুৰিয়াই অলপ টান কৰি নিয়াৰিৰ ওপৰত থৈ হাতুৰিৰে কোবাই কোনো এবিধ অলঙ্কাৰ বা আন বস্তু গঢ়িছিল, সেইবোৰ অতি মনোযোগেৰে সৈতে নিৰীক্ষণ কৰি কৌতূহল চৰিতাৰ্থ কৰিছিলোঁ। সিধায়ে কেঁচ-মণি আৰু থাৰুত কেনেকৈ বাখৰ পতাইছিল, কেনেকৈ মিনা কৰিছিল, ৰঙা নীলা আৰু কলপতীয়া কাচৰ মণি ভাঙি তাৰ এফোটুকুৰা গঁচা বাখৰৰ শাৰীত, ধৰিব নোৱাৰাকৈ কেনেকৈ বহুৱাইছিল, ইত্যাদি কাৰ্য্য আমি ইমান আগ্ৰহেৰে লক্ষ্য কৰি আমোদ পাইছিলোঁ যে অনেক সময়ত উৎসাহৰ সোঁতত মগ্ন হৈ ভাতীত হাত লগাই সোণাৰিক সহায় কৰি নিজক কৃতাৰ্থ মানিছিলোঁ। একো একো দিন মই মাতৃদেৱীক কুটুৰি কুটুৰি খুজি একোটা ডবল পইচা লৈ গৈ তাৰে সোণাৰিৰ হতুৱাই একোটি সৰু খুৰি-বাটি সজাই লৈছিলোঁ, আৰু সেই খুৰিত মোৰ কোমল মনৰ মৰম এখুৰিকৈ ভৰাই আপৰুগীয়াকৈ সাঁচি থৈছিলোঁ। মনত আছে, এই সোণাৰিৰ হতুৱায়ে দেউতাই আইলৈ ১২০০৲ টকা ৰেচৰ এজোৰ সুন্দৰ বাখৰ পতোৱা খাৰু গঢ়াই লৈছিল। সোণাৰি শালত সেই খাৰু যোৰৰ দিনাৰেপৰা বিসৰ্জ্জনৰ দিনালৈকে তাৰ সকলো অৱস্থা মোৰ সাগ্ৰহ আৰু সকৌতুক নিৰীক্ষণৰ বিষয় হৈছিল। সিধাই সোণাৰিৰ জয়া নামেৰে সোণাৰি-গাঁৰী দীপ্‌লিপ্‌ ছোৱালী এজনী আছিল। মোক কোনে কৈ দিছিল কব নোৱাৰোঁ, অনেক দিনলৈকে মোৰ মনৰ এচুকত এটা ধাৰণাই ঠাই পাইছিল যে সেই ধুনীয়া ছোৱালীটি সিধায়ে নিজৰ সোণাৰি-শালতে গঢ়ি উলিয়াইছিল। জয়া আমাৰ ওমলাৰ লগৰীয়া হৈছিল; কিন্তু সততে নহয়, চকাচমকাকৈহে।

দুৰ্গেশ্বৰ শৰ্ম্মা নামেৰে আমোলা এজনো আমাৰ ওচৰ-চুবুৰীয়া আছিল। তেওঁৰ ঘৰতো আমাৰ সমাগমৰ ত্ৰুটী নঘটিছিল; যাইকৈ দুৰ্গোৎসৱৰ এমাহমানৰ আগৰপৰা। দুৰ্গেশ্বৰে খনিকৰৰ বিদ্যা জানিছিল। নিজৰ ঘৰৰ পূজাৰ নিমিত্তে তেওঁ নিজ হাতে প্ৰতিমা সাজিছিল। প্ৰতিমা সাজিবলৈ আৰম্ভ কৰা দিনৰেপৰা তেওঁৰ কাষত আমাৰ সমাগম। কি উৎসাহেৰে মই প্ৰতিমাৰ নিমিত্তে বোকা খচা, ধুনুখি বন্ধা আদি কাৰ্য্যত শৰ্ম্মাৰ সহায়ক হৈছিলোঁ আৰু লগে লগে নিজৰ কল্পনাৰ সহায়েৰে মোৰ মনোবৃত্তিকো খচি-বান্ধি মনতে কি অপৰূপ মায়া-পুৰী সাজিছিলোঁ, ভাবিলে শৰীৰত ৰোমাঞ্চ হয়। মই ভাবিছিলোঁ, দুৰ্গেশ্বৰ খনিকৰে যেনেকৈ এই প্ৰতিমাৰ প্ৰত্যেক অংশ নিজৰ সুনিপুণ হাতেৰে গঢ়ি তুলিব লাগিছে, আমাকো আমাৰ ঘৰ খনিকৰ ঈশ্বৰে সেইদৰে পৰিশ্ৰম কৰি গঢ়ি এই পৃথিৱীত উমলিবলৈ পঠিয়াই দিছে। সৃষ্টিৰ এনে সহজ ব্যাখ্যা সহজভাৱে তেতিয়াই মোৰ মনত উদয় হৈছিল। শৰ্ম্মাদেৱে প্ৰতিমা গঢ়ি তোলাৰ প্ৰত্যেক কাৰ্য্যৰ অংশতে মোৰ কৌতূহলৰ চকু পৰিছিল। ধল, হেঙুল, হাইতালৰ ৰবণ পিহা-সনা কাৰ্য্যই প্ৰতিমাৰ গা, হাত, ভৰি, মুখ উজ্জ্বল কৰাৰ লগে লগে মোৰো মন উজ্জ্বল কৰি তুলিছিল। মনত আছে, এদিন দুৰ্গেশ্বৰ শৰ্ম্মাদেৱক সুধিছিলোঁ— "দুৰ্গেশ্বৰ ককাইদেউ, এই হেঙুল হাইতালবোৰ ক'ত পোৱা যায়?" তেতিয়া বেলি পৰিছে; পশ্চিম আকাশ বিচিত্ৰ বৰণেৰে চিত্ৰিত হৈ উঠিছে। তেওঁ তত্তালিকে সেই ফালে আঙুলিয়াই দেখুৱাই কলে "এইবোৰ মই সৌ তাৰপৰা আনিছোঁ,। মই সুধিলোঁ, "আমিও আনিব নোৱাৰোঁনে?" তেওঁ উত্তৰ দিলে, "তইঁতে নোৱাৰ। গোসানী-পূজাৰ সময়ত মই আকাশী দেৱতাক খুজি আনো,— মোক হে দিয়ে।" মই মিনতিকৈ কলোঁ, "ককাইদেও মোকো-চপৰাচেৰেক আনি দিয়ক।" তেওঁ কলে, "বাৰু দিম।" ইয়াৰ পিছতো মই তেওঁৰ সেই প্ৰতিশ্ৰুতি তেওঁক সোঁৱৰাই দিবলৈ অনেক দিনলৈকে নাপাহৰিছিলোঁ। কিন্তু তেওঁ "দিম দিম" কৰি লাহে লাহে গা এৰা দিলে দেখি মই হতাশ হৈ আৰু খুজিবলৈ এৰি দিলোঁ।

শৰ্ম্মাদেৱৰ প্ৰতিমা সজাত লাচনি-পাচনী কাৰ্য্যেৰে "মদৎ" দিয়াৰ বেচস্বৰূপে এদিন তেওঁ সেই খচা কুমাৰ-মাটিৰে এটা সুতুলি সাজি মোক দিলে; আৰু কেনেকৈ ফুটাত মুখ দি ফুৱাই বজাব লাগে সেই কৌশলটোও শিকাই দিলে। মই কৃতজ্ঞ মনেৰে সুতুলিটো হাতত লৈ, দুবাৰ-চাৰিবাৰৰ ব্যৰ্থ চেষ্টাৰ পিছত, মোৰ মুখৰ ফুৰে আৰু আঙুলি বুলনিৰে যেতিয়া সুতুলিৰ সুৰ তুলিলো, আৰু ক্ষন্তেকতে তাৰ মিহি কম্পন-ধ্বনিৰে দশোদিশ কঁপাবলৈ ধৰিলোঁ, মোৰ হৃদয়-তন্ত্ৰীৰ আনন্দ-কম্পনো ততোধিক হৈ উঠিল। কৰঘাত এতোখৰ আহাৰৰ সম্ভেদ পাই ব্যস্ত-সমস্তভাৱে এটাৰ পিছত এটা, তাৰ পিছত এটা,—তাৰ পিছত আকৌ এটাকৈ, লানি নিছিগাকৈ লৰা শুৰি-পকৰাৰ দৰে মোৰ সুতুলিৰ সুৰবোৰো লৰিবলৈ ধৰিলে। কেঁচা কুমাৰ-মাটিৰ দাগ লাগি মোৰ ওঁঠ মগা হল, ফুৱাই ফুৱাই মুখত বিষে ধৰিব লগীয়া হল, সেই উপসৰ্গবোৰলৈ মোৰ ভ্ৰূক্ষেপ নাই; মোৰ সুতুলিৰ সুৰ অবিৰামভাৱে চলিবলৈ ধৰিলে; চেনেহৰ চুমাৰ এঠাৰে এঠা খাই সুতুলি মোৰ মুখত লাগি গল। সুতুলিৰ দৌৰাত্ম্য বাঢ়িলত আমাৰ গতি-বিধিৰ পৰিদৰ্শক ৰবিনাথ ককাই, মোৰ কাকূতি-মিনতিলৈ

আওকাণ কৰি সুতুলিটো মোৰ হাতৰপৰা কাঢ়ি নি নিষ্ঠুৰভাৱে শিল এছটাত এছাৰ মাৰি ভাঙি পেলালে। ককাৰ এনে নিদাৰুণ আচৰণত মোৰ দুচকুৰপৰা দুধাৰ লো বৈ গল; মই দুখ-শোকত ম্ৰিয়মাণ হলোঁ। আমন-জিমনকৈ দুৰ্গেশ্বৰ শৰ্ম্মাৰ ওচৰ পালোগৈ। মুখৰ গঢ় দেখি, মোৰ কি হৈছে সুধি, জানি, মৰম পতিয়াই, তেওঁ মোলৈ আৰু এটা সুতুলি সাজি ব'দত শুকাবলৈ দিলে। সেই দিনাই আবেলি মই মোৰ হেৰোৱা নিধি নতুন সুতুলি লাভ কৰিলোঁ। অনতিবিলম্বতে সুতুলিৰ ভিতৰেদি সমুখিত আনন্দৰ করুণ সুৰে দিঙ্মণ্ডল মুখৰিত কৰিবলৈ ধৰিলে। দুখৰ বিষয়, এই সুতুলিৰো পৰমায়ু সৰহখিনি পৰ নাছিল; কংসাৱতাৰ ককাই সংবাদ পাই পুনৰ্জন্ম লাভ কৰা সুতুলিটিকো পূৰ্ব্বৱতে শিলত আফালি বধ কৰিলে। এইবাৰ তেওঁ আৰু এখোজ আগ বাঢ়ি সুতুলিৰ জন্মদাতা দুৰ্গেশ্বৰ শৰ্ম্মাক বিশেষকৈ কৈ দিলে, যেন তেওঁ আৰু মোক নকৈ সুতুলি সাজি নিদিয়ে। ফলত, সুতুলি-সৃষ্টিৰ আদ্যাশক্তি নিষ্ক্ৰিয় হল। কিন্তু উপায়হীনৰ উপায়দাতা সহায় হল, মোক তেওঁ নতুন বাট উলিয়াই দিলে। মই আমাৰ ঘৰৰ লগুৱা নৰা এটাৰ শৰণাপন্ন হলোঁ; সি মোক দ্বিতীয় শ্ৰেণীৰ সুতুলি এটা সাজি দিলে। কিন্তু যদিও পুনৰাগত এই সুতুলিত আগৰ দুটাৰ দৰে finish অৰ্থাৎ কাৰিকৰী নাছিল, আৰু যদিও তাৰ "গলা সুৰ-সধা" নাছিল, তথাপি এই কণা মোমায়েই মোৰ অনেকখিনি অভাৱ পূৰণ কৰিলে। মই তাক হেপাহ পলুৱাই বজাই অতি সংগোপনে লুকাই থলোঁ। কিন্তু কংসৰ চোৰাংচোৱাৰ তীক্ষ্ণ দৃষ্টি সি অতিক্ৰম কৰিব নোৱাৰিলে; কোনো চৰিয়াৰ সহায়েৰে ককাই সেই গুপ্ত নিধি আবিষ্কাৰ কৰি লুপ্ত কৰি দিলে। অনুসন্ধানৰ ফলত ককাৰ জ্ঞানোদয় হল যে, এই বাৰৰ সুতুলিৰ জন্মদাতা দুৰ্গেশ্বৰ শৰ্ম্মা নহয়, আমাৰ লগুৱা নৰাটোহে। তাক তেওঁ মাতি আনি কৰাকৈ ভাবি দি কলে যে ভৱিষ্যতত সি যেন আৰু তেনে দোষাবহ কাম নকৰে। মই বাট এন্ধাৰ দেখি দুখত দুদিন নিৰুৎসাহ হৈ বহি আছিলোঁ। হঠাৎ বিজুলী মৰাৰ দৰে মনলৈ উচ্ছাহ আহিল; মই ভাবিলোঁ, মইনো নিজ হাতে সুতুলি এটা সাজি নলওঁ কিয়? যেনে ভাবোদয়, তেনে কাৰ্য্য। নৰি গৈ শৰ্ম্মাৰ ঘৰৰপৰা কুমাৰ-মাটি এসোপা সংগ্ৰহ কৰি আনি সুতুলি সাজিবলৈ লাগি গলোঁ। প্ৰথম চেষ্টা বিফল হল। দ্বিতীয় চেষ্টা সফল-বিফলৰ মাজতে হল। তৃতীয় চেষ্টাত কৃতকাৰ্য্য হলোঁ। এক প্ৰকাৰ চলি যাব পৰা সুতুলি এটা মই স্বহস্তে নিৰ্ম্মাণ কৰি পেলালোঁ আৰু কুৰাই ভাৱপৰা মাতো উলিয়ালোঁ। কৃতকাৰ্য্যৰ সফলতাত মোৰ মন উৎফুল্লকৃত হ'ল। দুপৰীয়া ককাই ভাত খাই উঠি পেঁজা-পাটীত পৰি নিদ্ৰাক আহ্বান কৰি আছিল, এনেতে হঠাৎ সুতুলিৰ সুৰৰ বাম-নাম তেওঁৰ কাণত পৰিল। তেওঁ উত্তেজিত হৈ একেচাৰেই উঠি মোৰ কাণে চোচা ললে; মই দিলোঁ লৰ। মোক সৰহ দূৰলৈ খেদি যোৱাটো নিষ্ফল বুজি তেওঁ খাঁতৰৰপৰা বিতিৰাই শাসন কৰি কলে,—"থাক, আজি তাওৰীয়া কাছাৰীৰপৰা আহক, কোৰতে তোৰ পিঠিৰ চাল তোলাম।" এই শাসন-বাক্য শুনি মোৰ মন দমি গল, মই কিছুমান বেলিৰ মূৰত উভতি আহি, তেওঁৰ হাতত মোৰ বুকুৰ বান্ধ সুতুলিটো সমৰ্পণ কৰি কাবৌ কৰি কলোঁ, "ককা, প্ৰসন্ন হোৱাঁ। এইটো সুতুলি; তুমি তাক শিলত আফালি চূৰ্ণ-বিচূৰ্ণ কৰা বা যি মন যায় কৰাঁ, মই আৰু সুতুলি নবজাওঁ"।

বিদ্যাৰম্ভ।—এদিন শুনিলোঁ, মোৰ বিদ্যাৰম্ভ কৰা হব। মোৰ মহানন্দ মিলিল—পুথি পঢ়িব পাৰিম, কিতাপ পঢ়িব পাৰিম, মানুহলৈ চিঠি লেখিব পাৰিম। ভাল দিন-বাৰ এটা চোৱাই এদিন সেই কাৰ্য্য সুসম্পন্ন কৰোৱা হল। আমাৰ গুৰু-ঘৰ কমলাবাৰী থানলৈ সোণৰ ফুল এপাহ আগ কৰা, ঘৰত বামুণৰ হতুৱাই পূজা কৰোৱা, নিজৰ মাক-ঘৰত ভালকৈ শৰাই এখন দি সকলোৱে মিলি-জুলি নাম গোৱা, আৰু নামৰ অন্তত ৰবিনাথ ককাই, মই দীৰ্ঘায়ু আৰু সৰ্ব্ব-বিদ্যাবিশাৰদ হৈ পিতৃ-কুল মাতৃ-কুল উজ্জ্বল কৰিবৰ অৰ্থে বিশেষ-ৰূপে উচ্চাৰণ কৰি আশীৰ্ব্বাদ কৰা কথাৰ স্মৃতি মোৰ মনত স্পষ্টকৈ পৰি আছে।

প্ৰথমতে ককাই মোক কলাপাতত ক, খ লেখিবৰ কৌশল শিকাস, আৰু দিনৌ কলাপাত কাটি আনি কেনেকৈ তাক ধুলিৰে মোহাৰি চাফ্-চিকুণ কৰি লৈ তাত আখৰ লেখিব লাগে তাৰ দিহা কৰি দিয়ে। খাগৰিৰ কাপ কাটি লবলৈ, আৰু কেৰাহীৰ বা মাটিৰ চৰুৰ গাত লাগি থকা ছাইত চলু চলুকৈ গৰু-মূত সানি মহী কৰিবলৈ, আৰু মহী থবলৈ মাটিৰ বা বাঁহৰ চুঙাৰ মৈলাম আৰু সেই মৈলাম বাৰত আঁৰি থবলৈ মৈলামৰ কাণত জৰী লগোৱা ইত্যাদি বিদ্যাও ৰবিনাথ ককায়েই মোক দান কৰে।

বিদ্যাৰম্ভ কৰি ক-কলা পঢ়ি দুদিন চাৰি-দিনতে যে মই পাকৈত হৈ উঠিছিলোঁ, এনে তীক্ষ্ণ-বুদ্ধিৰ লৰা বুলি মই মোক কেতিয়াও ভাবিব নোৱাৰোঁ। কাৰণ লেখা পঢ়াত মই বৰ চোকা-বুধীয়া বুলি কেতিয়াও খ্যাতি লাভ কৰা মোৰ মনত নাই। পিছৰ কালৰ স্কুল কলেজতো মই a boy of mediocre ability অৰ্থাৎ মজলীয়া বিধৰ লৰা বুলিয়েই চলি গৈছিলোঁ। ক, খ, লেখিব-পঢ়িবলৈ শিকাৰ

পিছত, মদন মোহন তৰ্কালঙ্কাৰৰ বঙলা 'শিশুশিক্ষা' প্ৰথম ভাগ মোক দিয়া হল ; কাৰণ সেই কালত দেশাধিকাৰসকলৰ বিপৰীত বুদ্ধিৰ বলত বঙলা ভাষাহে অসমৰ বিদ্যালয়বোৰত শিকোৱা হৈছিল ; অসমীয়াৰ আচল মাক অসমীয়া ভাষাই ৰকবাণিত হে ঠাই পাইছিল ; আৰু বিদেশিনী বঙলা ভাষাই আইৰ ঠাই অধিকাৰ কৰি লৈ অসমীয়া শিশুবোৰৰ মুখত মাতৃস্তনৰ সলনি "ফিডিং বটল" অৰ্থাৎ গাখীৰৰ কল দি সিহঁতক "কাল কাক, ভাল নাক" শিকাই তেওঁবে সৈতে "খিলি খাই, মিলি যাবলৈ" কৈছিল। ঈশ্বৰৰ চৰণত সেৱা, যে কালক্ৰমত দেশাধিকাৰসকলৰ এই ভ্ৰম ভাগিল, অসমীয়াই মাতৃ-স্তনৰ স্বাভাবিক ক্ষীৰধাৰা পান কৰিবলৈ পাই নিজক ধন্য মানিলে, অসমীয়াৰ মাতৃ-ভাষা যে অসমীয়া হে, বঙলা নহয়, এই সত্য পুনৰ দৃঢ়ভাৱে সু-প্ৰতিষ্ঠিত হল।

পিতৃ-দেৱতাৰ গাত এটা লক্ষণ বৰ পৰিস্ফুট আছিল। তেওঁ যদিও অতি নিষ্ঠাৱান পুৰণি ধৰণৰ হিন্দু আছিল, কিন্তু তেওঁৰ মন সম্পূৰ্ণ আচৰিত ৰকমে progressive অৰ্থাৎ উন্নতি-শীল আছিল। সময়ৰ সোঁতৰ বিৰুদ্ধে অনিয়ন্ত্ৰিতভাৱে থিয় হোৱাটো তেওঁ অনুচিত বিবেচনা কৰিছিল ; বৰং দেশ-কাল-পাত্ৰ বুজি তেওঁ অনেক কথাত সময়ৰ সোঁতৰ গতিত বাধা দিবলৈ চেষ্টা নকৰি সহায়তা হে কৰিছিল। তেওঁ যেতিয়া দেখিলে যে, ইংৰাজ ৰজাৰ ৰাজ্যত থাকি ইংৰাজী ভাষা, ইংৰাজী-বিদ্যা নিশিকিলে মানুহৰ অৱস্থা পানীৰপৰা বাহলৈ তোলা মাছৰ দৰে হয়, তেওঁ নিজেও অলপ-অচৰপ ইংৰাজী শিকিবলৈ ধৰিলে, আৰু নিজৰ লৰাবিলাকক ইংৰাজী-স্কুলত নাম লগোৱাই দি ইংৰাজী শিকিবলৈ উৎসাহিত কৰিলে। লখীমপুৰত তেতিয়া ইংৰাজী-বঙলা কোনো বিধৰ স্কুল নাছিল। মোৰ অগ্ৰজ দুজন আৰু মোতকৈ ডাঙৰ ভাগিন এজনৰ ইংৰাজী শিক্ষাৰ সুবিধাৰ নিমিত্তে, আৰু লগে লগে স্থানীয় মানুহৰ লৰাকো সেই সুবিধা প্ৰদান কৰিবৰ নিমিত্তে অহো-পুৰুষাৰ্থ কৰি দেউতাই লখীমপুৰত এটা ঘৰ সজাই ইংৰাজী স্কুল এখন স্থাপন কৰিলে। সেই স্কুলত মাষ্টৰী কৰিবৰ নিমিত্তে শিৱসাগৰৰপৰা তীৰ্থনাথ উকিলৰ পুতেক পদ্মনাথ শৰ্ম্মা নামে, আমাৰ দূৰ সম্পৰ্কীয় আত্মীয় এজনক দেউতাই লখীমপুৰলৈ আনি নিজৰ ঘৰতে আশ্ৰয় দি ৰাখিলে, আৰু দুই-তিনিজন ইংৰাজী জনা মানুহ সংগ্ৰহ কৰি তেওঁলোকক মাষ্টৰ নিযুক্ত কৰিলে। দেউতা লখীমপুৰত মুনচেফ্ হৈ থকাডোখৰ কালত সেই স্কুল সুন্দৰৰূপে চলিছিল।

লখীমপুৰীয়া স্মৃতিৰ ভিতৰত আৰু এজন নজ লোকৰ কথা মোৰ মনত আছে। তেওঁৰ নাম শ্ৰীযুক্ত ঘিণাৰাম বৰুৱা মৌজাদাৰ। মৌজাদাৰ ঘিণাৰাম বৰুৱা পুৱা-গধূলি সদায় আমাৰ ঘৰলৈ আহিছিল, আৰু দেউতাৰ বৰ প্ৰিয়পাত্ৰ আছিল। আমি লৰা-বোৰেও তেওঁক লগৰ ভাল পাইছিলোঁ ; কাৰণ তেওঁ বৰ নিৰ্জু মানুহ আছিল, আৰু আমাক বৰ মৰম কৰিছিল। কোৱা বাহুল্য যে মৰমে লৰাৰ মন যেনেকৈ আকৰ্ষণ কৰি মৰম কৰোঁতাৰ ফালে টানে, আন একোৱে তেনেকৈ নোৱাৰে। তেওঁ দেউতাৰ কাষৰপৰা আঁতৰিলেই তেওঁৰ কোলা আমাৰ দখললৈ সম্পূৰ্ণৰূপে এৰি দিছিল। তেওঁ গা-গাবিৰে শকত-আৱত নাছিল ; বৰ ক্ষীণোৱাও নাছিল ; ওখইও মজলীয়া বিধৰ আছিল। দেউতাৰ কাষত বহি নিজৰ কাপ-মৈলাম লৈ, তেওঁ সেই কালৰ ডাঙৰ ঘূৰণীয়া বঙা-ক'লা ছাবৰ ষ্টাম্প-কাকতত খৎ-দলিল ইত্যাদি লেখা দেখিছিলোঁ। তেওঁৰ তিনিটি পুতেক আছিল ; তেওঁলোক সততে আমাৰ ঘৰলৈ আহি আমাৰে সৈতে খেমালি-ধেমেলা কৰিছিল। মৌজাদাৰৰ এটি পুতেক মোতকৈ ভালেমান ডাঙৰ আৰু দটি মোৰ সমনীয়াই হওক, নাইবা মোতকৈ সৰুৱেই হওক, এনে বিধৰ আছিল। সেই দুটিৰ এটি আজি-কালি আসামত সু-বিখ্যাত শ্ৰদ্ধাস্পদ শ্ৰীযুত পদ্মনাথ বৰুৱা।

চিপাহী-বিদ্ৰোহৰ চোৰ কোৰ অসমতো আৱিষ্কাৰ কৰাৰ সম্পৰ্কে বিশেষৰূপে খ্যাতি লাভ কৰোঁতা হৰনাথ পৰ্ব্বতীয়াৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীযুত হলিৰাম বৰুৱা (যি পিছত একষ্ট্ৰা এচিষ্টেণ্টৰ পদ পাইছিল) কাছাৰীত হেডক্লাৰ্ক পদতেই হওক বা আন কোনো তেনে পদতেই হওক, লখীমপুৰলৈ আহি আমাৰ টোলতে, দেউতাই সজাই দিয়া ঘৰত আছিলহি। তেওঁ হিন্দুৰ অখাদ্য চৰাই-কুকুৰা ভোজন কৰে বুলি মিছাকৈ কোনে মোৰ মনত বিশ্বাস জন্মাই দিছিল কব নোৱাৰোঁ, সেই দেখি পৰা পক্ষত তেওঁৰ ঘৰৰ ফালে মই নগৈছিলোঁ। সম্ভৱতঃ তেওঁ নিজেই মোৰে সৈতে কৌতুক কৰিবলৈ সেই কথা কৈ মোক ভয় খুৱাইছিল ; কাৰণ মোৰ মনত আছে, এদিন তেওঁ ভাত খাবৰ সময়ত, মোক মাতি নি তেওঁৰ থালিত থকা পাৰ-চৰাইৰ আঙ্গা দেখুৱাই মোক কুকুৰাৰ আঙ্গা বুলি কৈ তাৰে সৰু হাড় এডোখৰ মোৰ গাৰ ফালে দলি মাৰি দিছিল, আৰু মই চুৱা হবৰ ভয়ত একে লৰে আমাৰ ঘৰ পাইছিলোহি। শ্ৰীযুত হলিৰাম বৰুৱাৰ ওপৰত মোৰ বিতৃষ্ণা জন্মাৰ আৰু এটা কাৰণ ঘটিছিল। দিনচেৰেকৰ আগতে তেওঁৰ ঘৰৰ চালত এটা জনু পৰিছিল ; আৰু সেইটো অমঙ্গলৰ কথা দেখি তেওঁ পূজা শান্তি-স্বস্ত্যয়ন আদি কাৰ্য্য ব্ৰাহ্মণৰ হতুৱাই কৰাই, সেই অমঙ্গলৰ প্ৰতিবিধান কৰিব লগীয়াত পৰিছিল। এদিন মই গধূলি মোৰ পাঠ্য বঙলা কিতাপ এখন পঢ়ি থাকোঁতেই, তেওঁ আহি মোৰ কাষত বহিল।

কিতাপখনত এটা কেঁচাৰ ছবি আছিল। তেওঁ ছবিটো দেখিয়েই, ততালিকে মোৰ আগতে জিয়াচলিৰ কাঠি এটা মাৰি তাৰে কেঁচাটোৰ মুখাগ্নি কৰিলে। কেঁচাৰ মুখেৰে অলঙ্কৃত মোৰ কিতাপৰ পাতটোৰ সেই ডোখৰ পুৰি গৈ তাত ডাঙৰ ফুটা এটা হল। মুখাগ্নি কৰা কেঁচাৰ শোকাগ্নিত মোৰ কুমলীয়া মনৰো এডোখৰ দগ্ধ হৈ গল; মই কান্দিবলৈ ধৰিলোঁ। মোক যদিও ঘৰৰ আন মানুহে নানা কথা কৈ চেচনি-মুজনি দি কিছুমান বেলিৰ মূৰত শান্ত কৰিলে, কিন্তু মোৰ dislike বিতৃষ্ণা শ্ৰীযুত বৰুৱাৰ প্ৰতি আৰু বদ্ধমূল হল। ঘাইকৈ আৰু এইবাবে যে, কেঁচা-পোৰা বৰুৱা ডাঙৰীয়াই তেওঁৰ দুষ্কৃতিৰ নিমিত্তে এখুদমানো অনুতাপ নকৰি, আৰু মোৰ শোকাগ্নি নিৰ্ব্বাপণ কৰিবলৈ এতিলমানো চেষ্টা নকৰি, লঙ্কা দাহ কৰি হনুমন্তই নিজৰ বিবেকত এটা বেজাৰৰ খোচকো অনুভৱ নকৰাকৈ বীৰদৰ্পে অশোকবনলৈ গুচি যোৱাদি মোৰ কাষৰপৰা উঠি বুকু ফিন্দাই নিজৰ ঘৰলৈ গুচি গল।

আমাৰ ঘৰৰ কাষতে জোলন সাজতোলা নামেৰে দিহিঙৰ গোসাঁইৰ সাজতোলা এজন আছিল। সাজতোলা বয়সত বুঢ়া, জাতত আহোম, আৰু দিহিঙৰ গোসাঁইৰ বৰ নিষ্ঠাবান সেৱক আছিল। নাম-প্ৰসঙ্গ গীত-পদ আদিত সদায় তেওঁৰ ৰতি আছিল দেখি, আৰু দেউতাক বৰ মান-সৎকাৰ উপাস-ভৰসা কৰি চলিছিল দেখি, সাজতোলাক দেউতাই বৰ ভাল পাইছিল। আমিও ভাল পাইছিলোঁ। সাজতোলা ঘৈণীয়েক, পুতেক, বোৱাৰীয়েকেৰে সমৃদ্ধিশালী আছিল।

ধনী নামৰ আমাৰ এটা লগুৱা আছিল। তাৰ ঘৰ যোৰহাটৰ ওচৰৰ চাওখাত মৌজাত। বাস্তৱিক পক্ষত সেই কালত চাওখাতক আমাৰ ঘৰৰ পক্ষে লগুৱাৰ ঘৰ-ভঁৰাল বুলিলে বঢ়াই কোৱা নহয়। বেঙ্কলৈ চেক (cheque) পঠিয়াই দিলে টকা পোৱাৰ দৰে আমাৰ দেউতা আৰু ককাইদেওসকলে, আৱশ্যক মতে চাওখাতলৈ খাতৰি পঠিয়াই তাৰপৰা লগুৱা পাইছিল। ধনীৰে সৈতে তাৰ ককায়েক গোজৰ আৰু ভায়েক সিদ্ধিৰাম, এই তিনিও পাল পাতি এবছৰ দুবছৰকৈ দেউতাৰ লগত নগাওঁ, বৰপেটা, তেজপুৰ, লখীমপুৰ আৰু গুৱাহাটীত লগুৱা কাম কৰিছিল; আৰু সিহঁত আমাৰ পাৰিবাৰিক সংঘৰ অঙ্গ-প্ৰত্যঙ্গ-স্বৰূপ হৈ পৰিছিল। আজি-কালি লগুৱা আৰু লিগিৰীহঁতৰ ভিতৰত যেনেকৈ খাটোন ব্যৱহাৰহে নহয়, সেই কালত তেনে নাছিল; সেই কালত লগুৱা-লিগিৰীবোৰ গৃহস্থৰ পৰিয়ালৰ একো-একোটা অপৰিহাৰ্য্য অঙ্গ আছিল। এনে সম্বন্ধতকৈ মৰমৰ সম্বন্ধ প্ৰবল আছিল। হিন্দু-শাস্ত্ৰৰ সূক্ষ্ম অনুশাসন—"ছায়া স্বদাসবৰ্গশ্চ" অৰ্থাৎ দাস-দাসীবোৰ গৃহস্থৰ গাৰ ছাঁৰ নিচিনা, এইটো বৰ্ণে বৰ্ণে প্ৰতিপালিত হৈছিল। অসমীয়া 'লগুৱা' শব্দটোৱেই এই কথাৰ সাক্ষী কট্-কটীয়াকৈ দিয়ে। মনত আছে আমাতকৈ বয়সে ডাঙৰ লগুৱা-লিগিৰীক আমি সম্মানেৰে সৈতে মাতিছিলোঁ। জোলন আৰু বিশলাগী গিৰিয়েক ঘৈণীয়েক। সতি-সন্ততিৰে সিহঁত এঘৰ ভাল গৃহস্থ। এই দৰে লগুৱা-লিগিৰী আমাৰ ৰংপুৰৰ ঘৰৰ চৌহদৰ ভিতৰত সদায় আছিল। জোলনক "ঘৰগিৰী" আৰু আৰু "ককাই" বুলি, আৰু বিশলাগীক "বিশলাগী বাই" বুলিহে আমি সদায়ে মাতিছিলোঁ। কেতিয়াবা জোলনক অকল "জোলন," বিশলাগীক অকল "বিশলাগী" বুলি আমি মাতিলে আমাৰ অভিভাৱকসকলৰ পৰা ডাবি খাইছিলোঁ।

তিনিও ভায়েক ককায়েকৰ ভিতৰত ধনী চেঙৰ, বলী, বুধিয়ক, খৰ, বগিয়াল, অথাইচং আৰু কামত সন্তোষ দিব পৰা আছিল। দিনে-ৰাতিয়ে আমাৰ ঘৰৰ এশ-এটা কাম ধনীয়ে উছাহেৰে কৰি, সুবিধা পালেই ৰং-ধেমালিৰে আমাক আমোদ দিছিল। তাৰ বৰণ ক'লা বগাৰ মাজতে, গা, হাত-ভৰি আটিল আৰু পেটত এটা ডাঙৰ বেকুণ আছিল। ধনীয়ে সদায় সকলোকে কৈছিল, যে বেকুণটো তাক ঈশ্বৰে হেনো ধন ভৰাই থবলৈ দিছে, আৰু সেই দেখি তাৰ নামটোও ধনী। আনে তাৰ এই কথাত হাঁহিছিল, কিন্তু মই সেই কথাত ভালেমান দিনলৈকে নিৰহ-নিপানীকৈ পতিয়াই আছিলোঁ। ধনীৰ তেতিয়া ভৰ ডেকা বয়স। গাৰ বল আৰু মনৰ স্ফুৰ্ত্তিত সি খোলাত ভজা আখৈ ওফৰাদি উফৰি ফুৰিছিল আৰু উফৰি ফুৰাটোৱেই তাৰ normal condition সহজ অৱস্থা আছিল। তাৰ গাত উপচি পৰা বলে তাক ইমান দিগ্ দিছিল, যে তাৰ শাৰীৰ কোনো সমনীয়া ডেকা দেখিলে সি উপৰাচি আগবাঢ়ি গৈ তাৰে সৈতে এধুনা ভুঁজবাগৰ নকৰি নোৱাৰিছিল; আৰু ভুঁজৰ জয় পৰাজয় মাথৰ দুইটা নিঠা তিতা কৰা অম্লান বদনে গিলিছিল; দুপৰীয়া পল যোৱা মানুহৰ টকি কাণত পৰিলেই ধনীৰ গা সাতখন-আঠখন হৈ পৰিছিল আৰু সেই মুহূৰ্ত্ততে সি সকলোৰে হাক-বচন, গালি-শপনি কাতিকৈ থৈ ঘৰৰ সকলো কাম এৰি হাতত পল লৈ মাছ মাৰিবলৈ লৰিছিল; আৰু কেতিয়াবা দুদাহাতে মুকুতিছিল। দুদাহাতে লোকোচাৰ মানে যে, সদায় সি মাছ ধৰা কাৰ্য্যত কৃতকাৰ্য্য হৈছিল এনে নহয়, বৰং যোন [illegible] দিনৰ ভিতৰত পোন্ধৰ দিনত তাৰ [illegible] সংঘটিত হৈছিল। উপৰা সি [illegible] ধনীৰ [illegible] সৈতে মাছৰ সম্পৰ্ক, [illegible] সৈতে মাছৰ সম্পৰ্কটিৰো বিষয়ে সেই [illegible] আমাৰ।

সি তাৰ আত্মসন্মান নিখুঁট ৰাখিবলৈ অনেক ৰকম চেষ্টাবাজিৰ আশ্ৰয় লৈছিল; যেনে—পলৈয়াইঁত বাৰলৈ উঠিলে সিহঁতৰপৰা খুজি-মাগি নহিবা ডকা-হকা দি দুটা-চাইটা মাছ আনি আমাৰ ঘৰত দি, সেই মাছ তাৰ পলত পৰা বুলি, এবুৰি এটা মিছা কথাৰে বুকু কিলাই কৈ বাহাদুৰী লৈছিল। কিছুদিনলৈকে যদিও সকলোৱে তাৰ কথাৰ ভজাকলা ধৰিব নোৱাৰিছিল, কিন্তু তলিকুটা পানীৰ কলহৰ দৰে তাৰ এই মহতালি-কথাৰ তলিত কুটা থকা বাবে অচিৰতে তাৰ সন্তেদ তাৰ গুণগ্ৰাহীসকলৰ আগত ওলাই পৰিল আৰু তাৰ বাহাদুৰীৰ বৰ নাও অচল হল। মাছৰ বিছত হাঁহ-কণী খুঁজোৱা বিদ্যাতো ধনী পিছ পৰা নাছিল। কিন্তু তাৰ মাছধাৰ বিদ্যাৰ দৰে, হাঁহ-কণী খুজোৱা বিদ্যাতো শীঘ্ৰে জাল-জুৱাচুৰি ধৰা পৰিল। খবৰ পোৱা গল যে ওৰে দিনটোৰ মূৰত যে সি এপাচি মূৰ ভগা হাঁহ-কণী নিজৰ জয়লব্ধ চিন (trophy) স্বৰূপে ঘৰলৈ আনিছিল, তাৰো তিনি ভাগৰ দুভাগত পানী দিয়া (adulterated), অৰ্থাৎ সেই এটাইবোৰ তাৰ স্বোপাৰ্জ্জিত নহয়, লোকৰপৰা খুজি মাগি বা ডকা-হকা দি আনি তাৰ লেখ বঢ়োৱা।

মুঠতে হাকিম ডাঙৰীয়াৰ ঘৰ লগুৱা বুলি ধনীক হাটকম্বা, বাটকম্বা, দোকানী, পোহাৰীয়ে খাতিৰ আৰু ভয় কৰিছিল; আৰু সি সেই অৱস্থাৰ সুবিধাটো ষোল অনাৰ উপৰি আদায় কৰিবলৈ ত্ৰুটি নকৰিছিল। লাহে লাহে তাৰ দুষ্টালিৰ জোখ ইমান বাঢ়ি উঠিছিল, যে সি মাছ কিনিবলৈ আমাৰ ঘৰৰপৰা পইচা লৈ গৈ সেই পইচা পোহাৰীক দিয়া অভ্যাসটো বদ্ অভ্যাস থিৰাং কৰি একেবাৰেই তাক পৰিত্যাগ কৰিছিল, আৰু বলেৰে পোহাৰীৰ পৰা মাছ কাঢ়ি আনি সেই মাছ আমাৰ পইচাৰে কিনি অনা বুলি বঢ়িয়াকৈ আমাৰ ঘৰত চলাই দি মাছৰ পইচা কঁকালৰ জালৰ মোনাত ভৰাইছিল। প্ৰথম ডোখৰত তাৰ এনেবোৰ অত্যাচাৰ-অবিচাৰ দোকানী পোহাৰীয়ে ভয়ত নিৰ্ব্বিবাদে সহি হজম কৰিছিল, আৰু সিও "চলাও পান্সি" বুলি সেই ব্যৱসায়ৰ পান্সৈ নাওখন জো-জো কৰে চলাই দিছিল। কিন্তু এদিন ধনীৰ নাও লাগিল খপছ্ কৰে চটত, আৰু খালে উবুৰি। তাৰ এনে অত্যাচাৰৰ কোব অসহ্য হ'লত বজাৰৰ এজাক দোকানী পোহাৰীয়ে মৰোঁ-জীওঁ সোঁ-আখিকৈ দেউতাৰ আগত "ধনী বৰ ভাণ্ডাৰীৰ" নামে গোচৰ দিলেহি। ধনীয়ে বিপদ সমুখত দেখি ততালিকে পলাই কাছ্ মাৰিলে। "আসামী ফেৰাৰ" দেখি, দেউতাই সেই পোহাৰীবোৰক সিহঁতৰ মাছৰ দাম বিয়াল দুৰ সন্তৰ সুধি-পুছি লৈ, দি, বিদায় দিলে, আৰু পিছ দিনা ধনীক বিচৰাই ধৰাই আনি বঢ়িয়াকৈ এজাউৰি কিল-কীৰ্ত্তন দিলে। এই কিল-কীৰ্ত্তনৰ effect গুণ যে সবহ দিন ধনীৰ গাত আছিল, এনে মনে নধৰে; কাৰণ, সি সেই পাকৈ মাৰৰ বেহা ইমান লাভজনক দেখিছিল যে, দিনচেৰেকৰ মূৰতে আকৌ তাত মন পুতি লাগি গল। তাৰ এই ৰোগ দুৰা-ৰোগ্য হৈ উঠা দেখি দেউতাই তাক "চচ্পেণ্ড" কৰি তাৰ ঘৰ চাওখাতলৈ বদলি কৰি তাৰ ঠাইত তাৰ ককায়েক গোজৰক আনি বাহাল কৰিলে। এবছৰৰ পিছত হে ভালেখিনি চেঁচা পৰা ধনীক আকৌ অনাই তাৰ পূৰ্ব্বৰ কামত ভৰ্ত্তি কৰা হল।

মহাপুৰুষ শ্ৰীমাধৱদেৱৰ প্ৰিয়তম শিষ্য, উজনিত মহাপুৰুষৰ গাৰ বদল নিৰ্ব্বিকাৰ পদ্ম আতা বা বদুলা আতাৰ থান কমলাবাৰী পিতৃদেৱতাৰ প্ৰাণ, আৰু কমলাবাৰীৰ গোসাঁই-ভকতসকল বুকুৰ সম্বল আছিল। এই সত্ৰ আৰু ভকতৰ অৰ্থে তেওঁ যথা-সৰ্ব্বস্ব দিবলৈ সদায় সাজু আছিল; আৰু দিছিলও। পিতৃদেৱতাই সদায় কৈছিল, "মহাপুৰুষ গুৰুজনে নিজৰ গাৰৰপৰা সৰ্ব্বস্ব পানীত দলিয়াই পেলাই দি ভক্ত-বস্তুক তুলি লৈছিল; এতেকে ভক্ত-বস্তুতকৈ শ্ৰেষ্ঠ বস্তু নাই।" মোৰ মনত আছে, দলে দলে কমলাবাৰী সত্ৰৰ ভকত সদায় দেউতাৰ ওচৰলৈ অহা-যোৱা কৰিছিল, আৰু সিধা আদি খাদ্য-দ্ৰব্য সম্ভাৰৰ উপৰিও থানৰ কীৰ্ত্তন-ঘৰত তেওঁলোকে জাৰ কালি গাত লৈ বহি নাম গাবলৈ ৰঙা বানাত্ একোখন লাভ কৰিছিল। এইটো নিশ্চয়কৈ কব পাৰোঁ, যে কমলাবাৰী, বৰপেটা, মধুপুৰ সত্ৰৰ গোসাঁই-ভকতসকলক দান কাৰ্য্যত পিতৃদেৱতাৰ মাহে মাহে দৰমহাৰ আধখিনি ধন ভগন হৈছিল। দেউতা লখীমপুৰত থাকোঁতেই কমলাবাৰী সত্ৰত কন্দল উপস্থিত হৈ সত্ৰখন দুভাগ হৈ ফাটি, এভাগ আঁতৰি খাৰিজা বা ন কমলাবাৰী সত্ৰ হয়, আৰু এই সত্ৰৰ ঘাই ধৰণী পিতৃদেৱতা হৈছিল।

কমলাবাৰী সত্ৰৰ ভকতসকলে এবাৰ কি দুবাৰ পিতৃদেৱতাৰ আহ্বানত আহি লখীমপুৰত ভাৱনা কৰিছিল। সেই ভাৱনা চাই যে আমাৰ কি মহানন্দ হৈছিল, কৈ শেষ কৰিব নোৱাৰোঁ। ভাৱনা হৈ যোৱাৰ এবছৰমান পিছলৈকে আমাৰ মুখৰপৰা ভাৱনাৰ ভাৱৰীয়াৰ বচনবোৰ নুগুচিছিল, আৰু সময় অসময় থল-অথল বিবেচনা নকৰি আমি ভাৱৰীয়াৰ ভাও দি ফুৰিছিলোঁ। এটা ভাৱনা বোধ কৰোঁ জৰাসন্ধ-বধ আছিল। মই আৰু মোৰ ককাইদেও শ্ৰীনাথ, দুয়ো কলা-ঠেঙৰাৰ দুডাল গদা কৰি লৈ ঘৰৰ চোতালত বীৰৰসাত্মক বচন মাতি পৰম বিক্ৰম প্ৰকাশ কৰি যুজি ফুৰিছিলোঁ, আৰু দুইৰো পিঠিত কলা-ঠেঙৰাৰ গদাৰে দুইও ধুপ্ ধুপ্ কৰে কোবাই গদা দুডাল খুণ্ডলাপচলা কৰিছিলোঁ। আমাৰ দুইৰো তুমুল যুদ্ধত প্ৰদৰ্শিত বল-বিক্ৰম দেখি ঘৰৰ তিৰুতাসকল আৰু

চাকৰ-নাকৰবোৰে পৰম বিস্ময় মানি তধা লাগিছিল, আৰু সেই দৰ্শকসকলৰ উচ্চাৰিত শলাগ আৰু উছাহ-বাক্যত আমি দুই ভাই ভীম-জৰাসন্ধ ওকলি পৰি দুয়ো আৰু বেগেৰে তয়া-সমা যুঁজ লগাই দিছিলোঁ। লাহে লাহে এই জাল আৰু বাউলা ভীম-জৰাসন্ধযোৰৰ যুঁজৰ কোব ইমান বাঢ়ি উঠিছিল যে আমাৰ "চুপৰ্ ভাইচৰ" ককা ৰবিনাথে, "নাৰ নহে কোঁদোৰ বাহ" হবগৈ বুলি আশঙ্কা কৰি, to preserve law and order, অৰ্থাৎ আইন আৰু শান্তিৰক্ষাৰ নিমিত্তে, এক মাথোন তেওঁৰ দ্বাৰাই সঙ্কলিত, প্ৰচাৰিত আৰু প্ৰচলিত দণ্ডবিধি আইনৰ কোনো এটা section বা ধাৰামতে কৰা হুকুম জাৰি কৰি further যুদ্ধ বন্ধ কৰি দিলে। কোনো সোঁত বা বেগৰ স্বাভাৱিক outlet অৰ্থাৎ বাট বন্ধ কৰি দিলে, যেনেকৈ সি বাস্তৱিকতে বন্ধ নহৈ under-ground হয়, অৰ্থাৎ আত্ম-গোপন কৰি অন্তঃসলিলা হয়, সেইদৰে ইয়াৰ পিছত এই ক্ষুদ্ৰ যোদ্ধা দুটিয়ে শাসকৰ চকু এৰাই বাৰীৰ পিছফালে, নাইবা ঘৰৰ পিছ-চোতালত, নাইবা গৰু-গোহালিত ছেগ বুজি একো-একোখন ক্ষুদ্ৰ যুদ্ধ সংঘটন কৰিবলৈ ধৰিলোঁ। ভেকুৰি-গুটীয়া যুঁজাৰু দুটিৰ গাত লম্ভা ভইৰ ভীম-জৰাসন্ধ দুটা কালক্ৰমত স্বভাৱতে বিলয়-প্ৰাপ্ত হ'লতহে প্ৰকৃত পক্ষত সম্বৎসৰ-ব্যাপী সেই দুৰ্দ্ধোৰ মহাৰণৰ ওৰ পৰিল। ইয়াৰ পিছৰ বছৰত "নৃসিংহযাত্ৰা" ভাৱনা দেখিছিলোঁ। আকৌ দুই ভাইক ভাৱনাৰ ভূতে পালে। বচন মাতি মাতি আকৌ দুয়ো যুদ্ধ-ক্ষেত্ৰত প্ৰৱেশ কৰিলোঁ। মনত আছে এদিন মই হিৰণ্যকশিপু হৈ—

> ৰহ ৰে ৰহ ৰহ
> মাতৃবৈৰী হৰি।
> হাতে শূল ধৰি
> পঠাইবো যম নগৰী।

এই বচন মাতি হাতত লাখুটি এডাল লৈ নৰ-সিংহ হোৱা শ্ৰীনাথ ককাইদেওৰ ফালে চোচা লওঁতেই কলিৰ হিৰণ্যকশিপুতকৈও ডাঙৰ ককা শ্ৰীযুত ৰবিনাথ মাজুদলৰ বৰুৱা কৰবাৰপৰা আহি হিৰণ্যকশিপুৰ ওপৰত জপংকৈ পৰিল। নিমেষতে নৰসিংহ কিৰিঙতি ভগাদি ভাগি অদৃশ্য হৈ গাবিল, কিন্তু হিৰণ্যকশিপুৱে কাণ-মলা খালে।

মনত আছে, এবাৰ ভাৱনাত এটা ভাও দিয়া হৈছিল, তাৰ নাম মঙলা খৰিকটীয়াৰ ভাও। মঙলাই খৰি কাটিবলৈ হাবিলৈ যাবলৈ ওলাইছে, কিন্তু সেইদিনা আছিল মঙলবাৰ। ওচৰ-চুবুৰীয়াই বাৰটো বেয়া দেখি মঙলাক খৰি কাটিবলৈ হাবিলৈ যাবলৈ হাক দিলে; কিন্তু মঙলাই নুশুনিলে, ফলত মঙলাক বাঘে খালে। ভাৱনাৰ মঙলাৰূপত শিশু দেৱতা, ৰবিনাথ ককা আৰু আন আন মানুহৰ লগতে আমি বহি ভাও চাই আছোঁহঁক। মঙলাই খৰি লুৰি থাকোঁতেই যেই তাক খাবলৈ পিছফালৰপৰা হাওঁ-হাওঁকৈ মুখা-পিন্ধা বাঘ এটা ওলাল, ওপৰন্তু কৈ অহা ভীম-জৰাসন্ধৰ যুঁজৰ প্ৰধান নায়ক, জৰা-সন্ধৰ সিদ্ধহস্ত, বীৰৰসাত্মক বাক্য-বচনত লব্ধপ্ৰতিষ্ঠ ককাইদেও শ্ৰীনাথে ভয়ত চিঞৰ মাৰি উঠি মাৰিলে লৰ। ভাৱনাৰ সভাঘৰত হাঁহিৰ ৰোল উঠিল। গতি বিষম দেখি উপস্থিত বুদ্ধিসম্পন্ন ককা ৰবিনাথে to save the situation এক চাবেই উঠি গৈ ব্যাঘ্ৰ-ভীতি-বিহ্বল শ্ৰীনাথ ককাইদেওক ধৰি আনি নিৰ্ভয় দি নিজৰ কোলাত বহুৱাই বুকুত সুমাই ললে; আৰু লোকৰ হাক-বচন নুশুনি গৰম্মালি কৰি বেয়া বাৰ নমনা বপুৰা মঙলাক মুখা পিন্ধা ঢেকিয়াপতীয়া বৰ বাঘে নিৰ্বিবাদে খালে।

অথচ সভাঘৰ ভৰি থকা বাৰেকুৰি মানুহৰ ভিতৰৰ এটা-এডোখৰেও এটি টুঁ শব্দ নকৰিলে, একাষাৰ ইচ্-ইচ্ বা খাম-বিক্ষুকে নুবুলিলে, টোকোন লাখুটিৰ কথাকে নকওঁ, এডাল বেমেৰা খাগৰিকে নাইবা হালোৱা-এচাৰিকে নোজোকাৰিলে নাইবা তৰ্জ্জনী আঙুলি বা কেঁৰা আঙুলি এটাকে বাঘটোক নেদেখুৱালে !!!

মনত আছে, আমি লখীমপুৰত থাকোঁতেই ককাইদেও শ্ৰীযুত গোবিন্দ বেজবৰুৱা (G. Bezbaroa) আৰু শ্ৰীযুত গোলাপচন্দ্ৰ বেজবৰুৱা (Dr. G. C. Bezbaroa) কলিকতাত পঢ়িবলৈ গৈছিল। সেই কালত কলিকতাত পঢ়িবলৈ যোৱাটো অনেক বিষ-য়ত আজি-কালিৰ নিচিনা উজু ব্যাপাৰ নাছিল। ডাক-জাহাজ আৰু ৰেলৰ আৱিৰ্ভাৱ তেতিয়াও আমা-মত হোৱা নাছিল; সদাগৰী জাহাজৰ চলাচল হৈছিল মাথোন; আৰু তাৰ সহায়েৰে ১৫।২০ দিনেহে গৈ কলিকতা-যাত্ৰীয়ে কলিকতাত ওলাবগৈ পাৰিছিল। কলিকতাত পঢ়িবলৈ গৈ বঙালীৰ হাতে ভাত খালে, সম্ভৱতঃ আমাৰ ককাইদেওসকলৰ জাত যাব, এই ভয়ৰ আন্দোলন আমাৰ ঘৰত প্ৰবলভাৱে চলি বিষম সমস্যা উপস্থিত কৰিছিল। এই সমস্যাৰ সমাধান, শশধৰ নামৰ অসমীয়া বামুণ এটাক তেওঁ-লোকৰ ভাত-ৰান্ধনি কৰি পঠিয়াই কৰা হয়। কিন্তু লাহে লাহে দেখা গল যে ককাইদেওসকলৰ দ্বাৰাই কলিকতাত অচিৰতে ৰান্ধনি শশধৰ অনাৱশ্যক বিবেচিত হল; আৰু এবছৰমানৰ পাছতে অসমীয়া শশধৰ বঙ্গাকাশৰ মেঘমুক্ত হৈ পুনৰ অসম-আকাশত উদয় হলহি। সিকালে কলিকতাত, তাতৰ বাম-

ধৰে তকাই কৰ্কথীয়াকৈ খোৱা দুই ভাইক বিদেশী বাঙ্গালিৰ আন্না-ভাতৰ খাবাসাৰে চোৱাই পেলালে। সন্তানসকলৰ বিপৰ্য্যয় বুদ্ধি দেখি বেচেৰা পিতৃদেৱতাই কলিকালৰ প্ৰকাণ্ড প্ৰতাপ অনুভৱ কৰি ঈশ্বৰক চিন্তি বিষাদ মনেৰে বল।

দুইজন ককাইদেওৰ চুলি-কটা ব্যাপাৰ লৈও আমাৰ ঘৰত কম আন্দোলন উপস্থিত হোৱা নাছিল। অথচ তেনে চুলি-কটা বা টিকনি-কটা ঘটনা সাতোটা ঘাৰৰ ছাপ্পন্ন প্ৰহৰত আজি-কালি নিতৌ ঘটিব লাগিছে, "ব্ৰাহ্মণ ক্ষত্ৰিয় পুণ্য-তনু"সকলে নিৰ্ব্বিবাদে, অপ্ৰতিবোধ গতিৰে নিতৌ স্ব স্ব মস্তকৰ শিখা কাটি তহিলং কৰিব লাগিছে, কিন্তু তেনে কাণ্ড-কাৰখানা দেখি অলেখ কাউৰীৰ এটা কোৱাইও একাষাৰ "কা" কৰা নাই, অসংখ্য চিলনীৰ এটা চিলাইও এটা "চিঁ" বোলা নাই, বৰ-গছে এটা টোপাল পেলোৱা নাই, বাঙ্গনিয়ে পুহৰষীয়া চকুৰ তলত জাল দিওঁতে গেৰেহা কাঠ-খৰিৰে সৈতে এবাৰ সেহোৱা নাই, আন কি "সনাতুৰী" ধৰ্ম্ম সম্প্ৰদায়-সভাৰপৰা এটা unanimously passed resolution অৰ্থাৎ সৰ্ব্বসম্মতিক্ৰমে নিৰ্দ্ধাৰিত প্ৰস্তাৱৰ সিদ্ধান্ত লাট আৰু বৰলাট বাহাদুৰৰ সভালৈ দুৰ্ঘোৰ প্ৰতিবাদ স্বৰূপে পঠিওৱা হোৱা নাই, আৰু সেই "বিৰাট" সভাৰ সেই বিষয়ৰ কাৰ্য্যাৱলী কোনো দৈনিক, মাসিক বাতৰি-কাকতত প্ৰকাশ কৰি সদিয়াৰ পৰা ধুবুৰীলৈকে তুমুল আন্দোলনৰ তৰঙ্গ তোলা নাই। কালৰ কি প্ৰবল প্ৰতাপ, আগৰটো আন্দোলনৰ দৰে এই টিকনি-বিনাশনৰ আন্দোলনটোৱেই কালক্ৰমত আমাৰ ঘৰত নিৰ্ব্বাণ-মুক্তি লাভ কৰিলে; আৰু কলে নো কোনে হাতত ধৰিব, যে টিকনি তো এক ৰকম সৰু কথাই, দেখোঁতে দেখোঁতেই চাহাবী হেট কোট আৰু পটলুঙৰ বৰ বৰ কথাবোৰ পৰ্য্যন্ত সকবো সৰু একোটি হৈ কেনিবা সৰকি পৰিল।

পিতৃদেৱতা লখীমপুৰত থাকোঁতেই কিছুমান দুষ্ট মানুহে ষড়যন্ত্ৰ কৰি তেওঁৰ ওপৰত এটা মিছা অভিযোগ আনে; আৰু সেই অভিযোগৰ বিচাৰৰ নিমিত্তে তেওঁ ডিব্ৰুগড়লৈ যাব লগীয়াত পৰে। তেতিয়া ডাক-জাহাজ বা বেল আসামত নাছিল; গতিকে তেওঁ নাৱেৰে আহিব লগীয়াত পৰিছিল। পিতৃদেৱতা বাটত থাকোঁতেই কিবা স্বৰূপে দুই জাপি ডিব্ৰুগড়ৰ কাছাৰী ঘৰটো পুৰি যায়। তেওঁৰ ওপৰত অভিযোগ আনোতা দুষ্ট মানুহ কেইটাই চেলু পাই, তেওঁ মানুহ লগাই দি কাছাৰী ঘৰটো পোৰালে বুলি ডেপুটি কমিশ্যনৰ কৰ্ণেল ক্লাৰ্কক কৈ দিলে। কৰ্ণেল ক্লাৰ্কে কোনো বিচাৰ আৰু বিবেচনা নকৰি, দণ্ডবিধি আইনৰ "ঘৰ-জ্বালানি" অভিযোগৰ ধাৰাত পিতৃ-দেৱতাক পেলাই তেওঁ ডিব্ৰুগড় পালতে তেওঁক হাজোতত দিলে। এই মোকৰ্দ্দমাই সেই কালত আসামৰ ইমূৰৰপৰা সিমূৰলৈকে সকলো মানুহৰ মনত তোলপাৰ লগাই পেলাইছিল; আৰু সকলোৱে পিতৃদেৱতাৰ নিচিনা ধাৰ্ম্মিক আৰু পুণ্যাত্মা মানুহৰ দ্বাৰায় তেনে ঘৃণনীয় কাম কোনোমতেই হোৱাটো অসম্ভৱ বুলি বুজি, বেজাৰ আৰু শোকত মগন হৈছিল, আৰু যাতে পিতৃদেৱতা সেই অগ্নি-পৰীক্ষাৰপৰা নিষ্কলঙ্ক হৈ সন্মানেৰে সৈতে উদ্ধাৰ হৈ ওলায় তাৰ অৰ্থে ঈশ্বৰৰ ওচৰত কায়মনোবাক্যে প্ৰাৰ্থনা কৰিছিল। এই বিপদৰ গোটেইডোখৰ কালত ডাঙৰীয়া দীননাথ বেজবৰুৱা স্থিৰ, ধীৰ, অটল হৈ আছিল, আৰু তেওঁৰ নিষ্পাপ নিৰ্ম্মল অন্তঃকৰণত এক মুহূৰ্ত্তৰ নিমিত্তে ভয়ৰ সঞ্চাৰ হোৱা নাছিল। তেওঁৰ নিৰ্ভয় উত্তৰ, ঈশ্বৰ-বিশ্বাসেৰে বলী পৌৰুষপূৰ্ণ ব্যৱহাৰে কৰ্ণেল ক্লাৰ্কক প্ৰমুখ্য কৰি তেওঁৰ শত্ৰুদলৰ প্ৰাণত আতঙ্ক, আৰু ডিব্ৰুগড়ৰ প্ৰজাৰ মনত বিস্ময়-বিমিশ্ৰিত আনন্দ উৎপাদন কৰিছিল। বিচাৰৰ শেহত পিতৃদেৱতা মেঘমুক্ত শশধৰৰ দৰে নিজৰ পূৰ্ণ যশস্যাৰ জেউতিৰে আৰু উজ্জ্বল হৈ ওলাল। গৱৰ্ণমেণ্টে তেওঁক আকৌ আগৰ কামত নিযুক্ত কৰি, কামৰপৰা স্থগিত (চচ্‌পেণ্ড) হৈ থকা কেইমাহৰ পূৰা বেতন তেওঁক দিলে। ইয়াৰ পিছত তেওঁৰ শত্ৰুদলৰ যিবোৰ নানা লটিঘটি হৈছিল, সেইবোৰৰ বৰ্ণনা দি লেখনী কলুষিত কৰিব নোখোজোঁ। সেই মোকৰ্দ্দমাত পিতৃদেৱতাৰ বিস্তৰ ধন ভগন হৈছিল। ব্ৰেন্সন নামে (পিছত ইলবৰ্ট বিলৰ সময়ত ভাৰতীয় মানুহক, যাইকৈ বঙালীক গালি পাৰি বিখ্যাত হোৱা) এজন ইংৰাজ ডাঙৰ বেৰিষ্টাৰক আৰু শৰৎচন্দ্ৰ বানুৰ্জী নামে এজন ওখ খাপৰ বঙালী উকীলক পিতৃদেৱতাৰ পক্ষ সমৰ্থন কৰিবৰ নিমিত্তে কলিকতাৰপৰা অনোৱা হৈছিল। ব্ৰেন্সন অহাৰ আগেয়েই উকীল শৰৎচন্দ্ৰ বানুৰ্জীয়ে ডিব্ৰুগড় পাই সেই মিছা মোকৰ্দ্দমাৰ জাল খণ্ড-বিখণ্ড কৰি উৰাই দিলে। ব্ৰেন্সন আহি গোৱালপাৰা পাওঁতেই তাৰেপৰা পিতৃদেৱতাৰ নাতিবেক সুবিখ্যাত হাকিম পূৰ্ণানন্দ বৰুৱা "ছোটচাহাবে" তেওঁক ওভোতাই পঠিয়ালে। সেই মোকৰ্দ্দমাত অহা সুযোগ্য উকীল বাবু শৰৎচন্দ্ৰ বানুৰ্জীয়ে তাৰ পিছত আসাম গৱৰ্ণমেণ্টৰ চাকৰি লৈ "এক্‌ষ্ট্ৰা এছিষ্টেণ্ট" হৈ আসামতে থাকিল।

আমাৰ সুযোগ্য বন্ধু সদাশয় শ্ৰীযুত ভোলানাথ বৰুৱা ডাঙৰীয়াই (B. Barooah) মোক এদিন কলিকতাত কৈছিল, যে তেওঁ চাকাত থাকোঁতে ডিব্ৰুগড় কাছাৰী পোৰাৰ বহস্য হঠাৎ এদিন তেওঁৰ আগত এটা বাতুলালয়ত উন্মুখাটিত হৈ পৰিছিল।

হেনো ঢাকাৰ কোনো এটা মুছলমান বেপাৰীৰ মোকৰ্দ্দমাৰ নথি এটা পুৰি নষ্ট কৰিবৰ নিমিত্তে সেই বেপাৰীয়ে এটা মুছলমান কৰ্ম্মচাৰীৰ দ্বাৰাই সেই কাৰ্য্যটো সংঘটিত হৈছিল। অনেক বছৰৰ পিছত, সেই ৰহস্য প্ৰকাশৰ বিপদ সম্পূৰ্ণৰূপে বিদূৰিত হোৱা জানি, সেই মানুহে ৰুকন্মা ডাঙৰীয়াৰ আগত কোনো সূত্ৰত সেই কথা স্বতঃপ্ৰকাশ কৰি নিজৰ বাহাদুৰীৰ আনন্দ উপভোগ কৰিছিল।

লখীমপুৰীয়া স্মৃতিৰ ওচৰত বিদায় লবৰ আগতে লখীমপুৰৰ চেনিমাছ আৰু পাভমাছৰ কথা মনত পৰিল। এনে ডাঙৰ আৰু তেলাল চেনি আৰু পাভমাছ লখীমপুৰ এৰিবৰপৰা আজিলৈকে আৰু মই ক'তো দেখা নাই। সেই দুবিধ লখীমপুৰীয়া মাছ সোঁশৰীৰে মোৰ আগৰপৰা অন্তৰ্দ্ধান হল যদিও তাৰ সৌৰৱণ অন্তৰ্দ্ধান নহল।

লখীমপুৰতে এই সৌৰৱণ-লেখক হৈ-গুদু খেলৰ বিদ্যাত দীক্ষিত হৈ সেই খেলৰ কোনো এখন অস্থায়ী "ক্লাব"ৰ খুদমান ছাতৰ সভ্যৰূপে পৰিগণিত হৈছিল। অৱশ্যে সেই "ক্লাব"ৰ যুদ্ধ-ক্ষেত্ৰ এই লেখকতকৈ অনেক গুণে ডাঙৰ আৰু বলী যুঁজাৰু ৰথী-মহাৰথী সকলৰ শৌৰ্য্য-বীৰ্য্যৰ আস্ফালনৰেহে বিশেষকৈ পৰিকম্পিত হৈছিল, এই ভেকুৰী-গুটীয়া আন দুই-চাৰিটা ভেকুৰিগুটীযাৰে সৈতে প্ৰতিদ্বন্দী দুপক্ষৰ কোনো এক পক্ষৰ দ্বাৰাই ৰণুৱাৰ লেখ বঢ়াবলৈ ক্ষুদ্ৰ পদাতিকৰূপে মাথোন ব্যৱহৃত হৈছিল, আৰু ভেকুৰি-গুটীয়া ৰণুৱাৰ "ডিউটি" duty কাম হৈছিল:—গুদু-গুদুকৈ স্বদলৰপৰা বিপক্ষৰদে লৰি গুলাই গৈ বিপক্ষদলৰ কোনো এজনৰ হাতত বন্দী হৈ উশাহ এৰি হৈ-গুদুৱা প্ৰাণ পৰিত্যাগ কৰাটো মাথোন। উশাহ এৰি হৈ-গুদুৱা মোৰ ককাইদেউ আৰু ভাগিনৰ বাহিৰে সেই ৰথী-মহাৰথীসকলৰ ভিতৰত দুজনৰ নাম মনত আছে। এজন শ্ৰীযুত হাবিবৰ দাস, আনজন শ্ৰীযুত গম্ভীৰচন্দ্ৰ দাস।

তৃতীয় আধ্যা

পিতৃদেৱতা লখীমপুৰৰপৰা গুৱাহাটীলৈ বদলি হয়। অসম-বুৰঞ্জী-লেখক কাশীনাথ তামুলী ফুকনৰ জ্যেষ্ঠ পুত্ৰ, গুৱাহাটী-নিবাসী শ্ৰীযুত কমলানাথ ফুকনৰ ঘৰত আমি উঠিলোঁহি। ফুকনৰ ঘৰৰে সৈতে বেজবৰুৱাৰ ঘৰৰ ঘনিষ্ঠ সম্বন্ধ পুৰণি কালৰেপৰা চলি আহিছে। তাৰ উপৰি, কমলানাথ ফুকনৰ ভায়েক, শিৱসাগৰ-নিবাসী শ্ৰীযুত দুৰ্গানাথ ফুকন খাজাঞ্চী পিতৃদেৱতাৰ জোৱাঁয়েক। আমি অলপ দিন মাথোন ফুকনৰ ঘৰত আছিলোঁ। আমাৰ বংশৰ সুবিখ্যাত ৺লক্ষ্মীনাথ গজপুৰীয়া ৰুকন্মা ডাঙৰীয়াৰ খাজি হৈ থকা ঘৰ-বাৰীলৈ সোনকালে উঠি গলোঁহঁক।

গুৱাহাটীৰ বিশাল ব্ৰহ্মপুত্ৰ, আৰু চাৰিওফালৰ পৰ্ব্বতমালাৰে বিভূষিত মনোৰম দৃশ্যই মোৰ মন অনিৰ্ব্বচনীয় আনন্দেৰে পূৰাই পেলালে। সেই দৃশ্যৰ চিত্ৰপট মোৰ হৃদয়-চিত্ৰশালাত যাৱজ্জীৱন থাকিব। অশ্বক্ৰান্ত, উমানন্দ, উৰ্ব্বশী, নৱগ্ৰহ, শুক্ৰেশ্বৰ বশিষ্ঠাশ্ৰম আদি তীৰ্থস্থানলৈ পিতৃদেৱতাৰে সৈতে গৈ মই যে কি অপাৰ আনন্দ উপভোগ কৰিছিলোঁ, কৈ অন্ত কৰিব নোৱাৰো। মাথোন কামাখ্যা আৰু হাজোলৈ মোক সৰু বুলি পিতৃদেৱতাই লগত নিয়া নাছিল।

গুৱাহাটীতে প্ৰথমতে মোৰ স্কুলত প্ৰৱেশ ঘটে। সঁচাকৈ কবলৈ গলে, স্কুলনো বোৱাটো মোৰ মনত বৰ-কাটেকলৈ যোৱা যেন লাগিছিল। মোৰ পক্ষে স্কুলত প্ৰৱেশ মানে বন-বিহঙ্গৰ সজাত প্ৰৱেশ; যদিও তাত অৱস্থিতি চাৰি-পাঁচ ঘণ্টাৰ নিমিত্তেহে। কিন্তু হলে কি হব, সেই চাৰি-পাঁচ ঘণ্টাৰ পিছত মুকলি হৈ গৈ আকৌ যে কাইলৈ তেনেকৈ আত্ম পুনৰাবদ্ধ হোৱা অনিবাৰ্য্য, সেই চিন্তাৰ ভয়ে মোক খুলি খুলি খাইছিল। পিতৃদেৱতাৰ হুকুম, মই স্কুললৈ যাবই লাগিব; এতেকে যাবই লাগিব, —তেহেলে মোৰ মনো-ৰাজ্যত "বামুণেই মৰক বা লগুণেই ছিগক।"

স্কুলত সোমায়েই যেই দেখোঁ, কৰধৃত-খণিত-শোভিত-বেত্ৰং মাষ্টৰ মহাপ্ৰভুসকলৰ বজ্ৰ-গম্ভীৰ নিনাদ ছাত্ৰসকলৰ সন্মিলিত সংযত কণ্ঠ নিসৃত বৃদ্-বুদ গুৰু-গুৰু ধ্বনিৰ কটাহ ভেদ কৰি স্কুল-ঘৰৰ মুধচ পাইছেগৈ, মোৰ ধাতুটিও মূৰৰ মুধচত উঠিবলৈ লৰ ধৰে। মোৰ মূৰৰ ব্ৰহ্ম-ৰন্ধ্ৰৰ কাষতে ধাতুটিক এৰি থৈ মই বহি স্কুলত কিবা শিকা-বুজাৰতো কথাই নাই, ঘৰত অলপ অচৰপ যি পঢ়ি-শুনি শিকি-বুজি আহোঁ, সিও পাহৰণিৰ পক্ষৰচাত সোমাই মায়া-মৃগ হৈ কৰবালৈ লৰি পলাই গুচি যায়। হায়! স্কুল মোৰ মনত ভয়ৰ ভৱন নহৈ যদি আনন্দভৱন হলহেঁতেন, আৰু মোৰে নিচিনা দুৰ্ভগীয়া, "স্কুলাতঙ্কৰোগগ্ৰস্ত" এশ-এটা লৰাৰ পক্ষেও যদি তেনেকুৱাই হলহেঁতেন, তেন্তে আমাৰ দেশত কি সুস্থ সবল দেহৰ আৰু মনৰ এচাম প্ৰজাৰ (generation) সৃষ্টি হলহেঁতেন। স্কুলত শিক্ষা দিবৰ কঠোৰ নিৰ্ম্মম নীৰস এটা মাথোন-ব্যৱস্থাৰ সলনি যদি তাৰ ওলোটা অৱস্থাৰ প্ৰচলিত হলহেঁতেন, তেন্তে কেনে হাঁহি-মুখীয়া কাৰ্য্যক্ষম, আৰু নিজৰ সাধ্যৰ সীমাত স্ফুৰিত প্ৰজা চাৰে চাৰে বাঢ়ি আমাৰ জন্ম-ভূমিক উজ্জ্বল আৰু আৰু মহিমান্বিত কৰিলে-

হেঁতেন। দেৱী সৰস্বতীৰ বছেৰেকীয়া পূজাৰ উৎসৱ ছাত্ৰসকলৰ পক্ষে কেনে আনন্দময় হয়;—তেওঁৰ দৈনিক পূজাও যদি ছাত্ৰসকলৰ পক্ষে তেনে আনন্দময় হলহেঁতেন, তেন্তে তেওঁৰ অক্ষয় জ্ঞান-ভাণ্ডাৰৰপৰা জ্ঞান-ৰত্নৰ সম্ভাৰ হৰিষ মনেৰে সংগ্ৰহ কৰি কত লোক ধনী আৰু সুখী হব পাৰিলেহেঁতেন।

স্কুলত আমাক অঙ্ক শিকোৱা এজন মাষ্টৰ আছিল; তেওঁৰ নামটো (যদি মই পাহৰা নাই) চাখাৱত আলি। তেওঁক দেখিলেই মোৰ মুৰত থাকিব-নোখোজা অঙ্কৰ আকৃতি কেইটা বিকৃতি হৈ, মাতৃস্তন্যৰে সৈতে মাতৃদত্ত মাত কেইটাক সিহঁতে লগত লৈ মোক স্কুলৰ ক্লাচৰ কাঠৰ বেঞ্চৰ ওপৰতে নিৰুপায় কৰি অকল-শৰীয়াকৈ এৰি, তাহানি নিষ্ঠুৰ নলে দময়ন্তীক হাবিৰ মাজত এৰি পলোৱাদি পলাইছিল। তাৰ পিছত কিন্তু মুন্সী চাহাবৰ ৰঙা চকু, আৰু চোকা মুখৰ বাক্যবাণ এই মৃতকৰ ভেলটোৰ ওপৰত যিমান কোবেৰে পৰিছিল, উত্তৰৰ আশাত নিৰাশ হৈ সিমান কোবেৰেই সেইবোৰ তেওঁৰ টৌপলৈ উভতি গৈছিল। মুঠতে এই কেৱা কলেই হব যে গুৱাহাটীৰ স্কুল মোৰ পক্ষে আনন্দালয় নহৈ যমালয় হৈ উঠিছিল।

মনত আছে, স্কুলত মোৰ এনে বিদ্যাভ্যাসৰ সঙ্কটময় অৱস্থাতে এবাৰ কলিকতাৰপৰা তেওঁলোকৰ কলেজৰ বন্ধত ককাইদেওসকল গুৱাহাটীলৈ আহিছিল। মোৰ কলিকতীয়া ককাইদেওসকল আজি আহি পাবহি, এই উৎসাহৰ আনন্দাতিশয্যত মোৰ মাটিত ভৰি পৰা নাই। ককাইদেওসকল আহিল; গুৰুজনসকলক তেওঁলোকে সেৱা কৰি আদৰ অভ্যৰ্থনা লাভ কৰিলে; সৰুবোৰক দুই-চাৰি আষাৰ মিঠা কথাৰে আপ্যায়িত কৰি সেৱা নমস্কাৰ গ্ৰহণ কৰিলে। কিন্তু এই দুৰ্ভ-গীয়াৰ দুৰদৃষ্টৰ কথা কি কম! মোক দেখিয়েই ককাই-দেৱে মাত লগালে—"এইটো ইমান ডাঙৰ হলনে! হেৰ তই কি পঢ়িছ?" প্ৰশ্নটো শুনিয়েই মোৰ মনৰ আনন্দৰ বাণ একে হেচোকতে হুইঁকি শুকাই গৈ তাৰ তলিৰ ওখোৰামোখোৰাবোৰ ওলাই পৰিল; মুখ শুকাই কৰাই-খোলা যেন হল। ভাবিলোঁ, হৰি হৰি! মোক স্কুলৰ বৰ-বাঘে খেদি আহি দেখোন আজিৰ নিচিনা এনে আনন্দৰ দিনতো ধৰ পালেহি!

কিছুমান বেলিৰ পিছত ককাইদেৱে মোৰ পঢ়া কিতাপকেইটা মোৰ হতুৱাই অনাই, মোৰ পঢ়াৰ পৰীক্ষা কৰিবলৈ লাগি গল; আৰু তেওঁৰ প্ৰশ্নৰ উত্তৰত মোৰপৰা তেওঁ একো একোটা কোপোলা আলুগুটি পাবলৈ ধৰিলে। তেওঁৰ উঠিল খং। ধৰি কিল-কীৰ্ত্তন দিবলৈ উঠি দিলে খেদা। মই মাৰিলোঁ লৰ। ক্ষন্তেকতে মই আমাৰ গোটেইখন বাৰীত, পচোৱা-বতাহৰ আগ উৰাদি উৰি ফুৰিবলৈ ধৰিলোঁ, আৰু মোৰ পিছে পিছে তেওঁ লৰি ফুৰিবলৈ ধৰিলে। তেওঁ অসাৰ্থক খেদাত ক্লান্ত হৈ পৰিল, মোৰ বেগ কোবতকোৰে চৰিল। সকলোৱে অবাক হৈ এই বিপৰীত দৃশ্য চাবলৈ ধৰিলে। অন্তত খেদা আৰু লৰাৰ ধুম বেতিয়া অমোঘ হৈ উঠিলগৈ, মাতৃদেৱীয়ে বৰ পুত্ৰেকক এই wild goose chase অৰ্থাৎ পলৰীয়া ৰাজহাহ ধৰিবলৈ খেদি ফুৰি হাৰবাণ হোৱাৰপৰা নিবৃত্ত হবলৈ কৰকৈ কৈ, তেওঁক অলপ ভৰ্ৎসনা কৰি কলে—"বাৰু হেৰ তই কলিকতাৰপৰা আহিছ দেখি হেপাহ কৰি তোৰ সৰু ভায়েৰে তোক চাবলৈ আহিল; তই তাক ক'ত দুই-চাৰিটা কথা কৈ পোনতে মৰম কৰিবি নাই, তাক আকৌ এইদৰে মাৰিবলৈ চোৰ খেদাদি খেদি লৈ ফুৰাইছ! নাহে ধীৰেও দেখোন তই তাৰ পঢ়া-শুনাৰ মহলা লব পাৰ।" আইৰ কথা শুনি যদিও ককাইদেও ক্ষান্ত হল, তথাপি আইক মৃদু-মন্দ প্ৰতি-ভৰ্ৎসনা কৰিবলৈ নেপাহৰিলে যে "তোমালোকে তাক মৰম কৰি কৰি তাৰ মুৰ খালা-হঁক। ইমানটো চোদোজো লৰাই একো পঢ়া-শুনা নকৰে,—এটা big dunce হল।" এই ঘটনাৰ পিছত ককাইদেওসকল থকা কেইটা দিন মই মন মাৰি আলেঙে-আলেঙে ফুৰি কোনোমতে কটাই দিছিলো। বোধ কৰোঁ এই ঘটনা, পিতৃদেৱতাই গুৱাহাটীতে কামৰপৰা অৱসৰ লৈ পেঞ্চন পাই শিৱ-সাগৰলৈ আহিবৰ কিছু দিনৰ আগতে ঘটিছিল;- কাৰণ মোৰ মনত আছে, শিৱসাগৰলৈ আহিবলৈ যাত্ৰা কৰি গুৱাহাটীৰ ঘাটতে আমি সকলোটি নাৱত উঠি ৰাতি বালিত ভাত খাবৰ সময়ত, বৰ ডাঙৰ ধুমুহা বতাহ এটাই আমৰ বন্ধা-বঢ়া ভাত বালিৰে পুতি পেলাইছিল, আৰু বালিত তৰা আঁৰ-কাপোৰখন উৰাই নি ব্ৰহ্মপুত্ৰৰ মাজত পেলাই দিছিল; আৰু সেই ৰাতিৰ সেই দুৰ্যোগৰ সময়ত দেউতা আৰু ককাইদেওসকলে আন আন মানুহ আৰু নাৱৰীয়াহঁতৰে সৈতে পানীত নামি কাছ পাতি আমাৰ নাও দুখন ধৰি থাকি কোনোমতে ৰক্ষা কৰিছিল। মনত আছে, ধুমুহাৰ পিছত, সেই ৰাতিয়েই তেওঁলোক দুয়ো কলিকতালৈ উভতি যাবলৈ বুলি সদাগৰী জাহাজত উঠেগৈ, আৰু পিছ দিনা মাতৃদেৱীয়ে চকুৰ লো টুকি এই বুলি বেজাৰ কৰিছিল যে—"লৰা দুটাই কালি ৰাতি ইমান দুখো পালে, আৰু যোৱাৰ আগেয়ে এসাজ ভাত খাবলৈ আহি খাবলৈকো নাপালে।"

ওপৰত উনুকিয়াইছোঁ, যে পিতৃদেৱতাই গুৱা-হাটীতে একষ্ট্ৰা এছিষ্টেণ্ট কামৰপৰা অৱসৰ লৈ পেন্সন পায়। গুৱাহাটীৰ অনেক ভদ্ৰলোকে, বাইকৈ লক্ষ্মীনাথ গজপুৰীয়া বৰুৱা ডাঙৰীয়াই পিতৃদেৱতাক উজনিলৈ উভতি নগৈ গুৱাহাটীতে ঘৰ-বাৰী কৰি থাকিবলৈ অনুৰোধ কৰে। কিন্তু পিতৃদেৱতাই নিজৰ

পুৰণি ঠাই শিৱসাগৰলৈ উভতি যোৱাটোকে থিৰ কৰিলে।

গুৱাহাটীৰ ভদ্ৰলোকসকলৰ ভিতৰত উকীল শ্ৰীমন্ত সেন, যশোমন্ত সেন, এই দুজনৰ কথা, আৰু গোবিন্দৰাম চৌধাৰীৰ কথা মোৰ মনত আছে। এওঁলোক আমাৰ ঘৰলৈ সততে আহিছিল, আৰু দেউতাৰ আদৰৰ পাত্ৰ আছিল। গোবিন্দৰাম চৌধাৰী ওখ, ডাঙৰ আৰু দেখিবলৈ বৰ সভা-শুৱনী লোক আছিল। হেজাৰৰ ভিতৰত গোবিন্দৰাম চৌধাৰী চকুত পৰা "চেহেৰাৰ" মানুহ।

কমলানাথ ফুকনৰ কথা প্ৰথমতে অলপ কৈছোঁৱেই। ফুকন ডাঙৰীয়া ৰঙিয়াল, ৰসিক, witty আৰু কৌশল কৰি লোকক বিদ্ৰূপ কৰিব পৰা লোক আছিল। মোৰ শুনা এতিয়াও মনত আছে,—কোনোবা এজনে হেনো ডবা এটা কিনিবলৈ তেওঁৰপৰা ধন ধাৰে নিছিল। ডবা কিনাও হল, আৰু দিনৌ তাৰ ব্যৱহাৰ ৰিনোতাৰ ঘৰত হবলৈ ধৰিলে, কিন্তু ধাৰে নিয়া ধন অনেক দিনলৈকে সেইজনে ফুকন ডাঙৰীয়াক ওভোতাই দিবৰ নাম নকৰে। ধৰুৱাৰ নিশ্চিন্ত গতি দেখি ৰাৰচেৰেক ফুকনে ধাৰ সাধিলে, কিন্তু ফল একো নফলিল। শেহত নিজৰ মনৰ সন্তোষৰ অৰ্থে, তেওঁ এই পদ্যটো ৰচনা কৰি সমাগত বন্ধুসকলৰ আগত সুৰ ধৰি গাবলৈ ধৰিলে, যথা—

দলৈ (অমুক) ৰে
ডবা বাদ্য কৰে,
তাৰ ধন আজিলৈকে বাকী।
(অমুকৰ) কথা শুনি
মৰোঁ টকা ভৰি,
ইকি (অমুকৰ) ফাকি॥

এই lampoon অৰ্থাৎ বিদ্ৰূপাত্মক পদ্য কেইশাৰীয়ে ধৰুৱাৰ ঘাবায় ধাৰ শুজাব পাৰিছিলনে নাই কব নোৱাৰোঁ, কিন্তু ই যে ফুকনৰ মনৰ খেদ অনেক পৰিমাণে কমাইছিল, তাৰ ভুল নাই, কাৰণ তেতিয়া প্ৰায় সকলো ৰসিক ভদ্ৰলোকৰ মুখে মুখে এই পদ্য কেশাৰী বাগৰি ফুৰি তাৰ উদ্দেশ্য (mission) এক প্ৰকাৰে সিদ্ধি কৰিছিল।

গজপুৰীয়া ৰুকুৱা ডাঙৰীয়াৰ সম্পৰ্কেও এটি ক্ষুদ্ৰ আমোদজনক কথা মোৰ মনত আছে। তেখেতৰ এটা ঘোৰা আছিল; ঘোৰাটো বেগী বা ঢোকা বে নাছিলেই, বৰং সি বহুৱা ৰুদ্নামৰো হাত সাবিব পৰা নহয়। ঘোৰাটোৰ মন্থৰ গতিত বা "বেগতিত" ৰুকুৱা ডাঙৰীয়া বিৰক্ত হৈ, এদিন তাক প্ৰকাশ্যে এই বুলি ভৰ্ৎসনা কৰি শজা দিছিল,—'ইস্ লেবেৰিছা! জানিবা ইন্দ্ৰৰ উচ্চৈঃশ্ৰৱাতোৰবহে? যোৰোঁ তিওবা বুটমাহ খোৱাহে খোৱা, খোজ কাঢ়িবৰ কাৰে মন হলে নাই!"

দুখন ডাঙৰ গুৱালকুচীয়া হোলোং নাৱেৰে আমি গুৱাহাটীৰপৰা শিৱসাগৰলৈ যাত্ৰা কৰিলোঁহঁক। গুৱাহাটীৰপৰা শিৱসাগৰলৈ উজাই আহোঁতে আমাৰ ২২।২৪ দিন লাগিছিল। ব্ৰহ্মপুত্ৰইদি উজাই অহা এই কালডোখৰ মোৰ পক্ষে অপাৰ আনন্দৰ কাল। ফাগুনৰ শেষ-ছোৱা আৰু চতৰ আগছোৱাত বোধ কৰোঁ, এই নৌকাযাত্ৰা সংঘটিত হৈছিল। খৌনতৰ শুভ্ৰ বালিৰে দুকাষে দুটা তিৰবিৰোৱা পাৰি দিয়া, নিৰ্ম্মল ব্ৰহ্মপুত্ৰখন মোৰ মগত কটিকৰ সুতাৰে ৰোৱা এখন ডাঙৰ চেলেং কাপোৰ যেন লাগিছিল। আৰু ভৰি খোৱা সেই বগা চেলেংখনত দুটা কলা ফোঁকা-পকুৱা ৰগাই যোৱাৰ নিচিনাকৈ আমাৰ নাও দুখন চৰিৰ ঠেলাত যোৱা যেন লাগিছিল। একো একোটা বালিক দূৰৰপৰা একো একোটা "দানাদাৰ দোবৰা" চেনিৰ পৰ্ব্বত যেন, আৰু একো-একোটা মটীয়া বৰণৰ কাণীৰ চেনিৰ দম যেন দেখিছিলো; আৰু দুপৰীয়া টেঙা খাবৰ মন যোৱা কালডোখৰত একো-একোটা বালি লোণৰ পৰ্ব্বত বুলি কল্পনা কৰিছিলোঁ। দুপৰীয়া আৰু গধূলি কোনো এটা বালিৰ কাষত নাও বাখিলেই, মই সকলোৰে আগেয়েই একেজাপেই নাৱৰপৰা বালিত পৰি আনন্দত ম'বাচৰাইৰ পোৱালি জৰি ফুৰাদি ফুৰিছিলোঁ। মনত এনে ভাব, যেন চকুৰে দেখা দূৰলৈকে যত বালি দেখিবলৈ পোৱা গৈছে, এটাকো বাদ নিদি এটাইবোৰৰ ওপৰত জপিয়াই ৰম্বি-ধাপৰি ভটাগুটি বাগৰাদি বাগৰি ফুৰি শেষ কৰিহে এৰিম।

এদিন দুপৰীয়া ভাত ৰান্ধিবৰ নিমিত্তে এটা বালিত নাও ৰখা হল। দেখিলোঁ, বহুত গজাচিলণী চৰিওফালে উৰি ফুৰিছে। কোনোবাই মোক কৈ দিলে যে সেই বালিত নিশ্চয় গজাচিলনীৰ কণী পোৱা যাব। মই, মোৰ ককাইদেও শ্ৰীনাথেৰে সৈতে, বিচাৰি বিচাৰি সঁচাকৈয়ে দুটা গজাচিলনীৰ কণী পাই আনি বুকু ফুলাই সকলোকে দেখুৱালোঁ। শুনিলো, গজাচিলণী যদিও নাখায়, কিন্তু তাৰ কণী হলে খায়। এই সন্তোষজনক বিধান শ্ৰৱণ কৰি কণী দুটা ভজোৱাই দুই ভায়ে পৰম তৃপ্তিৰে সৈতে ভোজন কৰিলোঁ। এদিন আন এটা বালিত বিচাৰি বিচাৰি দুটা ঘৰিয়ালৰ কণী পাইছিলোঁ। প্ৰকাণ্ড কণী। কণী দুটা ফুটাই তাৰ ভিতৰৰ কুহুমবোৰ দলিয়াই পেলাই, খোট খোলা দুটা বহুত দিনলৈকে নাৱৰ ফুটিৰ মাৰত আৰি থৈ দিছিলোঁ। ৰংপুৰ পাই নাৱৰ পৰা নামিবৰ সময়ত কিন্তু সেই দুটা মোৰ দৃষ্টিৰ বহিৰ্ভূত হল। মোৰ কৰোঁ "ফুলৰ্ত্তাইছৰ" বকিনাথ কাকাই দয়া পৰৱশ হৈ অন্তঃসাৰশূন্য অণ্ড-যুগলক মাক ঘৰিয়ালৰ মুকুলে পানীৰেদি "প্ৰয়াণ" দিলে।

এদিন আবেলি চাৰিমান বজাত এটা খুলিত আমাৰ নাও বন্ধা হল। গিমান সেনকালে সেই দিনা বন্ধাৰ কাৰণ,—ফেৰ্কেৰীয়া বতাহ, সম্ভৱতঃ বতাহৰ কোৰ বাঢ়িলে বাঢ়ি সেই বতাহ ধুমুহাত পৰিণত হ'বগৈ পাৰে, এই আশঙ্কা কৰি। খুলিটো ভাল; তাত নাও বান্ধি থাকিলে কোনো ভয় নাই, আৰু পাঁয়ে তেনে খুলি পোৱা নাযাবও পাৰে। নাও বন্ধাৰ পিছত দেখা গল, দূৰত বালিৰ ওপৰত দুটা কি তিনিটা ডাঙৰ কাছ বগাই গৈছে। নাৰৰীয়াহঁতে কলে, যে কাছকেইটা কাল্‌চাপ কাছ। সিহঁতে এনে বতৰত বালিত কণী পাৰিবলৈ উঠে। আমাৰ লগুৱা ধনীয়ে এই খবৰ শুনিয়েই কাছৰ ফালে চোচা ললে। আমি লৰ দিলোঁ। মানুহ অহা গম পাই, কাছকেইটাই অভীপ্সিত কাৰ্য্য স্থগিত ৰাখি, উভতি নৈৰ ফালে প্ৰাণপণে লৰ দিলে। ধনীৰ বেগ অনুপাতত কাছৰ বেগতকৈ বেছি হোৱাত, সি কাছ এটাক আগচি ধৰি ওভালিকে লুটিয়াই পেলাই তাৰ বুকুত ডাঙৰ গোৰ এটা মাৰি দিলে, যাক চলিত ভাষাত কাছগোৰ বোলে। কাছটো একে গোৰতে অৱশ হৈ পৰিল। বাকী-কেইটাই ইতিমধ্যতে পানীত পৰি প্ৰাণ ৰক্ষা কৰিলে। কাছটো কাটিলত তাৰ পেটত দুকুৰিমান কণী ওলাল।

এদিন মাওখন পাৰৰ নল-খাগৰিৰ কাষে কাষে যাওঁতে নাৱৰীয়াহঁতে চৰিৰ কেৰেকা মুখেৰে হেঁচা মাৰি ধৰি এটা দুৰা কাছ ধৰিছিল। কাছটোৰ পিঠিত এটা ভোটা কাঁইট বা খড়গৰ দৰে আছিল। সেই কাছটোক হেনো নল-দুৰা বোলে; আৰু সি হেনো অখাদ্য। নাৱৰীয়াহঁতে কাছটো কি কৰিলে কব নোৱাৰোঁ; সম্ভৱতঃ তাক খাদ্যৰ শ্ৰেণীভুক্ত কৰি ৰান্ধি-বাঢ়ি পেটত ভৰাই থলে। আমাৰ ধনীয়ে কিন্তু কি কৰিছিল কব নোৱাৰিলোঁ; কাৰণ কাছটো অখাদ্য বুলি শুনি সি দেউতাই নুশুনাকৈ আমাৰ আগত প্ৰতিবাদ কৰি তলত দিয়া শাস্ত্ৰৰ বচন মাতি তাৰ অদ্ভুত ব্যাখ্যা কৰি কৈছিল,—"কীৰ্ত্তন-ঘোষাত এই দুৰা কাছ খাবলৈ কৈছে; যেনে, 'দুৰাচাৰ মন মোৰ ৰাম হৰি বোল' অৰ্থাৎ মোৰ মনে তোক খাবলৈ কৈছে, তই মই খাব পোৱা হ?"

আমাৰ নাৱৰীয়া এটাই এদিন বালিত কুৰি উভতি আহি তাৰ চুৰিয়াৰ কোঁচ উবুৰিয়াই আমাৰ আগত একোঁচ কাছ-কণী ৰাখি দিলে; তাৰ কিছুমান সম্পূৰ্ণ ঘূৰণীয়া, কিছুমান দীঘলীয়া। ঘূৰণীয়াবোৰ বৰকাছৰ কণী, আৰু দীঘলীয়াবোৰ দুৰা কাছৰ কণী। পাঁচ-ছদিনলৈকে সেই কণী সিজাই মাইধা ভাতত দি আমি সকলোৱে খাই তৃপ্তি লভিছিলোঁ।

এদিন ৰাতি খাই-বৈ আমি নাৱত শুই আছোঁহক; এনেতে নাৱৰীয়াহঁতে দেউতাক কলে যে বৰ ধুমুহা বতাহ আহিবৰ সম্ভৱ, কাৰণ কলা মেঘ এচটা পশ্চিম-কালে আকাশত ওলাইছে। নবালবিকৈ দেউতাই সিহঁতৰ হতুৱাই নাও দুখনৰ গোজ কাটি মজপুতকৈ পোতাই বন্ধালে, আৰু আন আন যি সতৰ্কতা অৱলম্বন কৰিব লাগিছিল, কৰালে। পোন্ধৰ মিনিট-মানৰ পিছতে গোটেইখন আকাশ কলা মেঘে ঢাকি পেলালে; হৰ হৰ গিৰ গিৰ শব্দ হল; বিজুলী মাৰিবলৈ ধৰিলে, আৰু লগে লগে ভয়ানক ধুমুহা আৰম্ভ হল; আৰু আমাৰ নাও দুখনক ধুমুহাই পানীত পেলাই বোন্দা-থেকেচা দিবলৈ ধৰিলে। যাত্ৰা কৰি গুৱাহাটীৰ ঘাটত নাৱত উঠাৰ দিনাৰ দৰে সেইদিনাও দেউতাই নাৱৰীয়াহঁত আৰু চাকৰ-নাকৰবোৰেৰে সৈতে ৰাতি পানীত পৰি কান্ধ পাতি নাও দুখন কোনোমতে ৰক্ষা কৰিছিল। পিছদিনা উজাই যাওঁতে এঠাইত দেখিলোঁ, আমাৰ নাৱৰে নিচিনা নাও এখন উবুৰি হৈ এটা ডাঙৰ জাঁজিত লাগি আছে। পিছত শুনিলোঁ বোলে সেই নাৱৰ সকলো কেইটা আৰোহী, গল ৰাতিৰ সেই ধুমুহাত নাও বুৰি নৈৰ গৰ্ভত চিৰ-কাললৈ বিলুপ্ত হল। কবান কালে কোন দুৰ্ভগীয়াক সপৰিয়াৰে এইদৰে পানীৰ মৈদামত দিলে কোনে কব!

যাওঁতে যাওঁতে এদিন পুৰা নল-খাগৰি আৰু কঁহুৱা থকা জেকা বালি এটাৰ ওপৰত এজাক বনৰীয়া মহ দেখিলোঁ। সশঙ্কিত হৈ নাৱৰীয়াহঁতে নৈৰ সিপাৰলৈ পাৰি দি যাবৰ মনোগত কৰোঁতেই, মহজাকেই আত্মশক্তি-বিস্মৃত হৈ, ভয় খাই টেঁটাই চপলিয়াই লৰ মাৰি হাবিত সোমাল। ডাঙৰবোৰৰ লগে লগে সমানে লৰিব নোৱাৰা চাৰি-পাঁচোটা সুন্দৰ মহ-পোৱালি পিছ পৰি লৰি যোৱা দেখি এনে ভাল লাগিছিল। সিহঁতক পাৰিলে ধৰি মৰম কৰি পুহিবৰ মোৰ বৰ মন গৈছিল।

এদিন দেখা গল, এজোপা ডাঙৰ গছত বহি এটা কুৰুৱা চৰায়ে এটা ডাঙৰ বৌমাছ খাবৰ দিহা কৰিছে। আমাৰ নাৱৰ আগোৱাল এটাই কুৰুৱাটোৰ ফালে কাঠখৰি এডাল কৰ্মুঠি মাৰি পঠিয়ালে। ভোজত বহা কুৰুৱাটোৱে ভোজনৰ আগেয়ে ভয় খাই উৰি লৰ মাৰিলে, আৰু মাছটো তাৰ নখৰ পৰা খহি ধুপুৰ্ কৰে গছৰ তলত পৰিল। কৰ্মুঠি মাৰোঁতা আগোৱালটোৱে একে জাপেই নাৱৰপৰা নামি বালত পৰি, লৰি গৈ মাছটো লৈ আহি আমাৰ আগত বুকু কিলাই পেলাই দিলেহি। বৰ ডাঙৰ বৌ। কাটিলত পেটৰ ভিতৰত তিনি সেৰ-মান কণী পোৱা গল। ভোজত বহি বিফলমনোৰথ হৈ উঠি যোৱা কুৰুৱাটোৰ বাহিৰে, সকলোৱে সেই মাছ সেইদিনা ভোজন কৰি তৃপ্তি লভিলে।

এদিন দেখিলোঁ, পাৰৰ বালি এটাত থকা জুপুৰি এটাৰপৰা জালোৱা বুঢ়া-বুঢ়ী দুটা আমাৰ নাৱৰ কালে বেগাই আহিছে। দেখিলোঁ, বুঢ়াৰ হাতত কিবা এটা ওলমি আছিছে। "দেউতা এখন্তেক নাও ৰাখক" বুলি কোৱা বুঢ়াৰ মাত শুনি আমাৰ নাও ৰখা হল। দেউতাৰ আগত ৰৰকাছুৰ পোৱালি এটা থৈ বুঢ়া-বুঢ়ীয়ে সেৱা কৰি কলে, "দেউতা ঈশ্বৰে পেঞ্চন লৈ উজাই আহিছে বুলি আমি শুনিছোঁ; সেই বাবে দেউতা ঈশ্বৰক সেৱা কৰিবলৈ আহিলোঁ।" দেউতাই মিঠা কথা কৈ বঢ়া-বুঢ়ীক আপ্যায়িত কৰাৰ পিছত, বুঢ়াই তাৰ দুৰ্ভোগৰ বৃত্তান্ত কৈ দেউতাৰপৰা দৰব লৈ সস্ত্ৰীকে সেৱা কৰি প্ৰস্থান কৰিলে। নিজান বালিৰ ওপৰত বুঢ়া-বুঢ়ীহালি সেইদৰে অকলৈ থকা দেখি মোৰ লৰা মনলৈকো এটা উদাস ভাব আহিছিল। ভাবিছিলোঁ, মোক মোৰ অভিভাৱকসকলে যদি এৰি দিয়ে, ময়ো অকলৈ এইদৰে এনে এটা বালিৰ ওপৰত পঁজা এটা সাজি লৈ যাবজ্জীৱন থাকিম।

নল-খাগৰি থকা বালিৰ গৰাৰ পানীৰ ঘুঁৰলিত কাতি হৈ পৰি থকা নল খাগৰিৰ ওপৰত সৰু সৰু কাছ-পোৱালিবোৰ উঠি থাকে; আৰু আমাৰ নাও কাষ পালেগৈয়ে টুপুং কৰে পানীত পৰি বুৰ মাৰে। এই দৃশ্যটো মোৰ বৰ ভাল লাগিছিল। ভাবিছিলোঁ, ময়ো যদি কাছ-পোৱালি হলোঁহেঁতেন এই দৰে টুপুং কৰে বুৰ মাৰি কৰবালৈ গুচি গলোঁহেঁতেন। এনেকুৱা কাছ-পোৱালি দেখিলে মই লেখি যাওঁ। এদিন এটাৰ পিছত এটাকৈ লেখোঁতে একুৰি তিনিটা হৈছিল।

ব্ৰহ্মপুত্ৰৰ দাঁতিত একো একো ঠাইত মাদুৰি বন হয়। বাকলি গুচাই মাদুৰিৰ শাহটো আৰু কেওঁটো খাবলৈ ভাল লাগে। দেউতাই কিন্তু আমাক মাদুৰি খাবলৈ নিদি কৈছিল "এই মাদুৰিৰে কোবাই মৰিয়া-মৰি কৰি যদুবংশ ধ্বংস হৈছিল; এতেকে মাদুৰি খাব নেপায়।" এনে innocent মাদুৰিৰে সৈতেবে এনে ভীষণ স্মৃতিবিজড়িত হৈ আছে, জানিব পাৰি সেই দিনাৰপৰা মাদুৰি ভোজনৰপৰা প্ৰতিনিবৃত্ত হলোঁ।

একো একো ঠাইত বালিৰ গৰাত থহনীয়াই ধৰা বাবে, সেইপিনে উজাই যোৱাটো বিপদজনক। সেই দেখি সেই পাৰৰপৰা সিপাৰলৈ পাৰি দিবলগীয়া হয়। চকুৰে ইপাৰ-সিপাৰ মণিব নোৱাৰা ব্ৰহ্মপুত্ৰত এইদৰে আমাৰ অনেকবাৰ পাৰি দিবলগীয়া হৈছিল। পাৰি দিওঁতে নাৱৰ আগোৱালকেইটাই নাৱৰ টিং আৰু গলত বহি প্ৰাণপণে দাঁৰ মাৰি, আৰু গুৰিয়ালে গুৰিৰপৰা গুৰি-বঠাৰে চাব দি দি অতি কষ্টেৰে এই দুখৰ কাম সমাপন কৰিছিল। এনেকৈ পাৰি দিওঁতে আমি অনেকবাৰ পিতৃদেৱতাকে গুৰিয়ালৰ হাতৰ বঠা কাঢ়ি লৈ নিজে বঠা ধৰা দেখিছিলোঁ। নাও পাৰি দিওঁতে পিতৃদেৱতাই "ৰাম পাৰ কৰা, এ, ৰঘুনাথ সংসাৰ-সাগৰে।" এই ঘোষা লগাই পদ দিছিল, আৰু আমি সকলোৱে উচ্চৈস্বৰে গাইছিলোঁহঁক। বাস্তৱিকতে এই নামৰ তালৰ লগত পানীত পৰা দাঁৰৰ ছেও মিলি নাৱৰীয়াহঁতৰ মনত এক অপূৰ্ব্ব উৎসাহৰ সোঁত বোৱাইছিল; আৰু ফলত নাও হাফোলা-হাফোলে আগ বাঢ়ি গৈছিল। এদিন এই দৰে ব্ৰহ্মপুত্ৰত পাৰি দি যাওঁতে এবাৰ নৈৰ মাজতে আমাৰ নাওখন মপহ্ কৰে এটা চটত লাগিল। ততালিকে নাৱৰীয়াবোৰেৰে সৈতে পিতৃদেৱতাই চটৰ তৰাং পানীত নামি পৰি নাওখন বলেৰে টানি কোনোমতেহে সেই চোৰ বালিৰ চটৰ বিপদৰপৰা তাক ৰক্ষা কৰিলে।

এদিন পিতৃদেৱতাই আমাক দূৰৰপৰা আঙুলিয়াই দেখুৱাই কলে, "সৌৱা মোৰ আতাৰ থান ৺কমলাবাৰী সত্ৰৰ গছ দেখা গৈছে।" পিতৃদেৱতাৰ আদেশ আৰু আহি অনুসৰণ কৰি আমি নাৱৰ চৰথত আঁঠু কাঢ়ি পৰি থানৰ উদ্দেশ্যে ভক্তিপূৰ্ণ সেৱা কৰিলোঁহক। পিতৃদেৱতাই সেৱা কৰি উঠি, তলত দিয়া ঘোষা-কেইটা সুৰ ধৰি গাই তাৰ মানে অতি ভক্তিভাৱে আমাক শুনাইছিল,—

যিদিশত মহা ভক্তসৱে শ্ৰীমন্ত কমললোচনক
পৰম সন্তোষে কীৰ্ত্তন যিটো কৰয়।
সিদিশক নমস্কাৰ কৰি দুৰ্ঘোৰ সংসাৰ সুখে তৰি
আপুনি অচ্যুত-স্বৰূপ সিটো হোৱয়॥

ৰমানন্দ-পদ-যুগলৰ মকৰন্দ-মধুব্ৰত-প্ৰায়।
ভকতসকলে যিদিশত প্ৰকাশয়।
সিদিশ জানিবা গঙ্গাদেৱী অনেক প্ৰবাহ-ৰূপে আতি
পৰম নিৰ্ম্মল স্বৰূপে শোভা কৰয়॥

শ্ৰীমধুৰিপু ঈশ্বৰৰ কীৰ্ত্তন মঙ্গল নিৰন্তৰ
যিটো ভূমিভাগে শুদ্ধৰূপে হোৱে জাত।
তাৰ ধূলি যিটো শিৰে ধৰে, নিশ্চয়ে জানিবা সিটো নৰে
কৃষ্ণৰ পৰম বল্লভ হোৱে সাক্ষাত॥

মোৰ ভালকৈ মনত আছে, যিদিনা আমি দিখৌ মুখত সোমাওঁ সোমাওঁ হৈছোঁ, সেইদিনা দুপৰীয়া, ওচৰৰ মিৰি গাঁও এখনত ৰৰকৈ লৰা এটাই কন্দা আমি শুনিলোঁ। দেউতাই তেতিয়াই নাও ৰখাবলৈ দি, নাৱৰপৰা নাৱৰীয়া এটাক কন্দনা লৰাটোৰ মাক-বাপেকক মাতি আনিবলৈ পঠিয়াই দিলে। সিহঁত আহিলত, লৰাটোক সিহঁতে কিয় সিমানকৈ কন্দুৱাইছিল, দেউতাই সুধি, আৰু নকন্দুৱাবলৈ ভালকৈ কৈ সিহঁতক বিদায় দিলে। সিহঁতে দেউতাৰ কথাত সন্তোষ লভি, আমাৰ নাওখন অলপ

ৰাখিবলৈ বৈ, নানি নৈ চাইটো মানুহে সাক্ষী কৰি অনা এটা ডাঙৰ বৰকাছ দেউতাৰ উপঢৌকন দি সেৱা কৰিলে। লগতে গোটেইখন মিৰি গাৱঁৰ লৰা, বুঢ়া আৰু তিৰোতা আহি আমাৰ নাৱৰ কাষত জুম বান্ধিলে। দেউতাই কাছটো তাতে কটাই তাৰ এটা কি দুটা পিৰা ৰাখি বাকীবোৰ সিহঁতকে বিলাই দিয়ালে। সিহঁতে বৰ মনৰে নঙহ লৈ দেউতাক সেৱা কৰি গুচি গল। ৰৰজাপি এটাৰ সমান ইমানটো ডাঙৰ বৰকাছ আগেয়ে মই কেতিয়াও দেখা নাছিলোঁ।

তেতিয়া মোৰ বয়স কিমান কব নোৱাৰোঁ। মই চুৰিয়া যদিও পিন্ধিছিলোঁ, কিন্তু এৰা-ধৰাকৈহে। মই শুনিলোঁ, আৰু দুই-এদিনতে আমি ৰংপুৰ পামগৈ। মই ভাবিলোঁ, আমাৰ ৰংপুৰৰ ঘৰৰ ন মানুহবোৰৰ আগত মোৰ কঁকালেৰে সৈতে চুৰিয়াৰ এনে এৰা-ধৰা সম্বন্ধটো বৰ লাজৰ হব; ইয়াকে ভাবি, দিনে-ৰাতিয়ে সমন্ধ নিছিগাকৈ পিন্ধি থাকিবলৈ দুখন চুৰিয়া মোক দিবলৈ মাতৃদেৱীক কলোঁ। মাতৃদেৱীয়ে মোৰ প্ৰাৰ্থনা যুক্তি-সঙ্গত বিবেচনা কৰি সেইমতে মোক চুৰিয়া দুখন দিলে, আৰু মই ভব্য-গব্য সভ্য লৰা হৈ আমাৰ ৰংপুৰৰ ঘৰত প্ৰৱেশ কৰিলোঁ।

চতুৰ্থ অধ্যায়

অসম ৰজাৰ ৰাজধানী ৰংপুৰ বা শিৱসাগৰৰ দৃশ্য অসম ৰাজপ্ৰতিনিধিৰ চহৰ গুৱাহাটীৰ দৃশ্যতকৈ সুকীয়া। গুৱাহাটীৰ গাত লুইতৰ বিহা-মেখেলা, ডিঙিত পৰ্ব্বতৰ সাতসৰী হাৰ, মূৰত ভুবনেশ্বৰীৰ ধৱল কিৰীটি, বুকুত উমানন্দ আৰু উৰ্ব্বশী। শিৱ-সাগৰ সমতল, চকুৰে নেদেখালৈকে প্ৰায় পৰ্ব্বতশূন্য নিৰাভৰণা;—মাথোন তেওঁৰ ক্ষীণ হাত দুটি দিখৌ আৰু দিচাং নামৰ সৰু বলয় এজুৰিয়ে অলপ উজলাই ৰাখিছে। গুৱাহাটীৰপৰা নাৱেৰে আহোঁতে, ব্ৰহ্মপুত্ৰৰ ওচৰত বিদায় লৈ দিখৌৰ বুকুত সোমাওঁতে মোৰ যেনে লাগিছিল, নামনি আৰু মাজ-অসম এৰি ৰংপুৰ চহৰত সোমাওঁতেও মোৰ তেনে লাগিছিল। নতুন ঠাই, আমাৰ নিজা পুৰণি ঘৰ ৰংপুৰলৈ যাব লাগিছোঁ, ৰংপুৰ নোপোৱালৈকে এই আনন্দই যেনেকৈ মোক আপ্লুত কৰি ৰাখিছিল, ৰংপুৰ পালত, সেই আনন্দ এটা অনিৰ্ব্বচনীয় বিৰাগে শুকাই পেলালে।

অসম দেশখনক গোটেই ভাৰতৰ আন আন দেশবোৰেৰে সৈতে বিজাই কোনো কোনোৱে জকাই-চুক বুলি উপলুঙা কৰা শুনিছোঁ; তেনেকুৱা উপ-লুঙীয়া বিচনিকে দি যদি নামনি অসমেৰে সৈতে উজনিৰ শিৱসাগৰক চোৱা যায়,—তেনেহলে শিৱসাগ-সাগৰকো অসম-জকাইৰ চুক বুলিলে বুলিব পাৰি। অন্ততঃ আকৃতিত নহলেও প্ৰকৃতিত—কিন্তু জকাইৰ চুকটোক অগ্ৰাহ্য আৰু অমান্য কৰি চলিলে যেনেকৈ জকাইখনৰ কোনো মূল্য নাথাকে, শিৱসাগৰকো সেইদৰে অগ্ৰাহ্য অমান্য কৰিলে অসমৰ মূল্য নাথাকে। যি হওক, অতি শীঘ্ৰে শিৱসাগৰৰ সম্পৰ্কে বিৰাগৰ এনে ভাব মোৰ মনৰপৰা আঁতৰি তাৰ ঠাই অনুৰাগে অধিকাৰ কৰিলে। তাৰ কাৰণ, শিৱসাগৰৰ বিশাল বিতোপন বৰ-পুখুৰী, আৰু তাৰ পাৰত ওখ ডাঙৰ দৌল তিনটা। শঙ্কৰদেৱৰ ভাষাৰে কবলৈ গলে, এই দৌল তিনটাৰ বিষ্ণুদ'ল আৰু দেৱীদ'ল,—

সুবৰ্ণ ৰজত লোহা জলে তিনি শৃঙ্গ।
চকুত জমক লাগে দেখিতে বিৰিঙ্গ॥

দুকাষৰ এই দ'ল দুটাত যদিও ৰজতৰ শৃঙ্গ নাথাকি লোৰ চক্ৰ আৰু ত্ৰিশূলে সেই কাম কৰিছে, মাজৰ-টোৰ অৰ্থাৎ শিৱদ'লৰ ওপৰত "চকুত জমক লগোৱা বিৰিঙ্গ শৃঙ্গই তিৰি-মিৰি কৰি দশোদিশ প্ৰকাশি" যে শিৱসাগৰৰ মহিমা উজ্জ্বল কৰি ৰাখিছে, তাক এশবাৰ মুখেৰে কব পাৰি। সুশীতল নিৰ্ম্মল জলেৰে, চপ্-চপীয়া শিৱসাগৰৰ বৰপুখুৰীটোকো সৰোবৰৰ সন্মান দি, শ্ৰীশঙ্কৰদেৱৰ অমৃতময় ভাষাৰে আকৌ এইদৰে বৰ্ণাব পাৰি,—

তাহাৰ মাঝে সৰোবৰ এক।
সাগৰ-সন্তাশ দেখি প্ৰত্যেক॥
সুবৰ্ণময় পদ্ম আছে জুৰি।
ভ্ৰমৰে মধু পিয়ে তাত পৰি॥
ৰাজহংস আদি যতেক পক্ষী।
পৰি পৰি থাকে নাযায় উপেক্ষি॥

এনেবিধৰ বৰপুখুৰীটোৱেও অচিৰতে মোৰ মন-হৰণ-কাৰ্য্য সম্পাদন কৰিলে। ইয়াৰ উপৰিও কোৱাল-সোঁতীয়া আৰু "মানুহ-পৰি-মৰা" ওখ গৰাৰে দিখৌ নৈয়ে, আৰু দিখৌৰ সিপাৰৰ ৰংঘৰ, কাৰেংঘৰ, তলাতলি ঘৰে, জয়সাগৰৰ দৌল আৰু প্ৰকাণ্ড পুখুৰী প্ৰভৃতিয়েওবে সোনকালে এই মোৰ মন-হৰণ ভাৱনাত ডাঙৰ ডাঙৰ ভাৰবীয়াৰ ভাও দি সহায় কৰি সেই ভাৱনা সুকলমে সমাপন কৰিলে এইটো কোৱা বাহুল্য মাথোন। মোৰ পক্ষে শিৱসাগৰ শীঘ্ৰে আনন্দ-সাগৰ হল, ৰংপুৰ ৰঙৰ আলয় হল।

শিৱসাগৰৰ ঘৰত উমলিবলৈ মোৰ দুটা ভতিজাক লগৰীয়া স্বৰূপে পালোঁ,—এটি মোতকৈ ডেৰবছৰৰ বৰ; আনটি মোতকৈ অলপ সৰু। প্ৰথম দিনতে মই

আবিষ্কাৰ কৰিলোঁ যে সিহঁত দুয়ো মোতকৈ বেছিকৈ পঢ়িছে,—অন্যান্য বঙলা কিতাপ । সিহঁত দুয়ো সিহঁতৰ বঙলা বিদ্যাৰ "তুবৰি-বাজীৰে" খণ্ডেকতে মোক অবাক কৰি দিলে। বঙলা পদ্য-পাঠৰ পদ্য মোৰ আগত সিহঁতে মাতি মোক এক প্ৰকাৰ পুতি পেলালে বুলিব লাগে। তাৰ এটা পদ্য মোৰ এতিয়াও মনত আছে যথা—

পৰ্ব্বতে ধুসল মেঘ হইল উদয় ।
ভয়ঙ্কৰ শব্দ কৰি বেগে বায়ু বয় ॥

পাতা উড়ে ফল পড়ে ভাঙ্গিতেছে ডাল।
উড়িল বাতাসে সব কুটীৰেৰ চাল ॥

নদী জলে উঠে ঢেউ পৰ্ব্বত সমান ।
উপায় নাপায় মাঝি কৰে হায় হায় ॥

দুয়ো লগ লাগি "ভয়ঙ্কৰ শব্দ কৰি" এই প্ৰচণ্ড পদ্য মাতি মোৰ ওচৰত প্ৰথম দিনতে এনে "বেগে বায়ু" বোৱাবলৈ ধৰিলে যে মোৰ লখীমপুৰীয়া আৰু গুৱাহটীয়া বিদ্যাৰ গৰ্ব্বেৰে ছোৱা মন-কুটীৰৰ চাল উৰি কৰবাত পৰিলগৈ ; মোৰ শান্ত মনাহ নৈৰ জলত পৰ্ব্বত-সমান ঢৌ উঠিল ; তুলনাত মোৰ বিদ্যা-হীনতাৰে চৈ দিয়া টুলঙা নাওখনি টুলুং ভুটুং কৰি বুৰোঁ বুৰোঁ হল, আৰু মই উপায় নাপাই অন্তৰত হায় ! হায় ! কৰিবলৈ ধৰিলোঁ । তেতিয়াই মই মনতে সঙ্কল্প কৰিলোঁ যে সিহঁতে যিটো খাৰ-ধৰৰপৰা খাৰ-বাৰুদ সংগ্ৰহ কৰি মোৰ ক্ষুদ্ৰ কিল্লাটো ফতে কৰিলে, সেই খাৰ-ধৰৰপৰাই অতি শীঘ্ৰে ময়ো খাৰ-বাৰুদ সংগ্ৰহ কৰি সিহঁতেৰে সৈতে সমানে ৰণ দিম। যেনে সঙ্কল্প তেনে কাৰ্য্য হল; সিহঁতে পঢ়া বঙলা পদ্যৰ কিতাপখন দুই-চাৰি দিনতে পঢ়ি আৰু সিহঁতে মুখস্থ কৰি থোৱা কবিতাকেইটা মুখস্থ কৰি পেলালোঁ । তেতিয়া সিহঁতে পদ্য মাতিলে ময়ো যেতিয়া সিহঁতেৰে সৈতে সমানে সেই পদ্য মাতি বা সিহঁতে মাতোঁতে লৰি আগ বাঢ়ি কাউণ্টাৰফায়াৰেৰে (counter-fire-এৰে) অৰ্থাৎ প্ৰত্যাগ্নিৰে পদ্যাগ্নি নুমাবলৈ ধৰিলোঁ, আমাৰ ভিতৰত সংঘটিত পদ্য-যুদ্ধখন স্থগিত হৈ শান্তি স্থাপিত হল। কিন্তু কুইনিনে হেঁচা মাৰি ধৰি ৰখা মেলেৰিয়া জ্বৰ নিচিনাকৈ সোনকালে সি আন আকাৰেৰে দেখা দিবলৈ সৰহ দিন নালাগিল । ওপৰত কৈ অহা খণ্ডযুদ্ধত যদিও যোদ্ধা দুজন হাৰিছিল, সিহঁতে আকৌ শক্তি সংগ্ৰহ কৰি মোৰে সৈতে গেৰিলা-ৱাৰফেয়াৰ (guerrlla-warfare.) অৰ্থাৎ অনিয়মিতভাৱে 'হাৱবানি যুদ্ধ' আৰম্ভ কৰি দিলে । এই যুদ্ধত বঙলা যাত্ৰা-গানৰ "টেঙ্ক" (tank) ওলাল। আমি শিৱসাগৰলৈ যোৱাৰ কিছু দিনৰ আগতে হেনো বৰপেটাৰ বিখ্যাত তিথি-ৰাম বায়নে তেওঁৰ বঙলা "যাত্ৰা-গানৰ পালা" লৈ উজনি দিগ্বিজয় কৰি ফুৰিছিল। বায়নৰ সেই যাত্ৰা-গানৰ অন্তৰ্গত ৰাধাৰ "মানভঞ্জন পালা"ৰপৰা একো-একোটা গানৰ একো একো বিকৃত টুকুৰা সুৰ-লয়-তান-শূন্য কৰি "গিৰি-গুহা-বন-নদী-সৰোবৰ"ৰ ওপৰেদি দুয়ো হৰ্ হৰ্ কৰে চলিবলৈ ধৰিলে ; আৰু তাৰ প্ৰবল গতিত মান-ভঞ্জনৰ গানবোৰ ডালে-পাতে চূৰ্ণীকৃত হবলৈ ধৰিলে । সেই গীতবোৰৰ এডোখৰ কন্থৰ এতিয়াও মোৰ মনত গধূৰ হৈ পৰি আছে; যেনে,—

ও ৰাই ! আগে প্ৰেম কৰিলি হেসে হেসে।
এখন কান্দ কেন নিৰ্জ্জনে বসে ॥

মই ভাবিলোঁ, ই কি হ'ল। এইবাৰতো মোৰ আৰু ৰক্ষা নাই । মোৰকালে দেখোন পতং ! তেতিয়ালৈকে মই কোনো বঙলা যাত্ৰা-গান দেখা নাছিলোঁ, শুনা নাছিলোঁ ! গতিকে এই musician "সঙ্গীতজ্ঞ" দুজনৰ হাতত মোৰ বাট অনিবাৰ্য্য । মই দেখা আৰু শুনা অসমীয়া ভাওনাৰ গীত-পদ-বাইক-বচন দুটা-এটা মাতি এই ভয়ানক "ধাক্কা" চম্ভালিবলৈ প্ৰাণ-পণে চেষ্টা কৰিলোঁ হয়; কিন্তু প্ৰতিপক্ষই মোৰ সেইবোৰক ধূলি-মাকটি rubbish আৰু অসভ্য বুলি একে টিলিকিতে উৰাই দিলে ;—যদিও সিহঁতে তেতিয়ালৈকে কোনো ভাওনা দেখা নাছিল । বঙলা ভাষা, বঙলা গান, বঙ্গালীৰ নিচিনাকৈ চুলি-কটা, চুৰিয়া-চোলা পিন্ধা, মুঠতে বঙ্গালী "ফেশ্যন" (fashion) আৰু everything Bengali অৰ্থাৎ যি-কি-নহওক সকলো বঙ্গালী আমাৰ অসমীয়াতকৈ যে শ্ৰেষ্ঠ, এই ৰোগে তেতিয়াৰ ডেকা তৰপৰ গাত ভালকৈয়ে ধৰিছিল ; আৰু এই ৰোগৰ প্ৰকোপ ইমান বাঢ়িছিল যে ডাঙৰ ডাঙৰ সত্ৰ-বোৰত সুন্দৰ অসমীয়া অঙ্কীয়া ভাওনাৰ লগে লগে নাইবা অঙ্কীয়া ভাওনাক খেদাই নাট-ৰচোঁতা গোসাঁই-মহন্তসকলে বাৰেবাঙ্কৰা অশুধ বঙলা ভাষাত নাট ৰচি, ভাওনা কৰি, নিজক গৌৰৱান্বিত আৰু দৰ্শকক সুখী বিবেচনা কৰিছিল । বৰবোৰ যেনি যায় সৰুবোৰো তেনি যায় গতিকে, ময়ো ভাবিলোঁ যে মোৰ বঙলা গানৰ অনভিজ্ঞতা অমাৰ্জ্জনীয়। আকৌ ভাবিলোঁ, মোৰে বা দোষ কি ? মই বঙলা যাত্ৰা দেখিবৰ, বঙলা গান শুনিবৰ সুবিধা ক'ত পালোঁ যে মই ইহঁতেৰে সৈতে সেই বিষয়ত সমানে জোৰ কৰিম ? ইয়াকে ভাবি মৌন হৈ, আকাৰে-ইঙ্গিতে প্ৰতিদ্বন্দ্বীসকলৰ ওচৰত বাট মানি শিৱসাগৰলৈ তিথিৰাম বায়নৰ পুনৰাগমনৰ প্ৰতীক্ষা কৰি "নিচুকি তুষ্টিয়া বৈলোঁ ।"

কিন্তু যি হওক, অচিৰতে আন আন সকলো বিষয়তে মৰম লৰাবোৰৰ আৰু ওচৰ-চুবুৰীয়া সম-বয়স্ক বালকবৃন্দৰ নেতাৰ স্থান মই অধিকাৰ কৰিলোঁ,

আৰু সেই অধিকাৰত কোনো বিবাদী নহল। মোৰ পৰিচালনাত পৰিপক্ক বালকবৃন্দেৰে সৈতে অনেক প্ৰকাৰ ৰং-ধেমালি আৰু খেলত মই পৈণত হৈ পৰিছিলোঁ; যেনে,—হৈ-গুদু, টাংগুটি, লুকা-ভাকু, পঁচি, কচুগুটি, বাঘ-গৰু খেলা, গছত উঠা, বৰশী বাই মাছ ধৰা, ইত্যাদি, ইত্যাদি। সেই কালত ফুটবল হকি আৰু টেনিছ খেলে আমাৰ দেশত 'উকি মৰা' নাছিল; অৱশ্যে ক্ৰিকেট খেলা দেখিছিলোঁ, আৰু অলপ ডাঙৰ হৈ দুই-চাৰি দিন খেলিছিলোঁও। আমাৰ এটা পানী-খোৱা পুখুৰী আছিল, আৰু সি আহল-বহলত পৰি মৰা বিধৰো নাছিল; অৰ্থাৎ সেইকালত তাক এটা বুজন বিধৰ পুখুৰীকেই বুলিব লাগে। বাৰিষা তাত পানী উপচি থাকিছিল, আৰু খৰালি পানী শুকাই সি কেটেঙাও নহৈছিল। বাৰিষা পৰ্ব্বতৰ টিঙত যেনেকৈ ম'হৰ আনন্দৰ চালি, বাৰিষা আমাৰো সেই পুখুৰীৰ পাৰত হাঁহি-ধেমালি আৰু খিকিন্দালি। দিন নাই, ৰাতি নাই, সময় নাই, অসময় নাই, কাৰণ-অকাৰণত সেই পুখুৰীত আমাৰ নাদোৰ-সাঁতোৰ জাঁপ আৰু খৰ। খিয়-সাঁতোৰ, চিলনী-সাঁতোৰ, আদি কত ৰকমৰ সাঁতোৰৰ আন্দোলনেৰে সেই পুখুৰীত হেন্দোল্-দোপ লগাইছিলোঁ, তাক আমি জানিছিলোঁ আৰু সেই পুখুৰীয়ে জানিছিল। বোধ কৰোঁ আমাৰ অতিৰিক্ত উৎপাতৰ প্ৰতিবাদ স্বৰূপেই হবলা, এদিন আবেলি সকলোৱে দেখি আচৰিত মানিলে যে হঠাৎ সেই পুখুৰীটো খলকিবলৈ ধৰিলে। চাৰিওপাৰৰ ফালৰ পৰা পানীবোৰ, কিহে কব নোৱাৰো, সামৰি নি পুখুৰীৰ মাজৰ নাদৰ ওচৰত গোটোই পৰ্ব্বতৰ ওখ টিং যেন কৰিলে আৰু খন্তেকতে চাৰিওপাৰৰ ফালে নাৰি পঠিয়ালে; আকৌ সেইদৰে চপাই ওখ কৰিলে, আকৌ মেলি দি চাৰিওপাৰ ঢৌৱাই পেলালে, ঠিক যেন পৃথীৰ সাগৰৰ পানীৰ ঢৌৰ উঠা-নমা আৰু আগ বঢ়া পিছহোহোকা। এনেকৈ দহ মিনিটমান আন্দোলিত হৈ পুখুৰীটোৱে আকৌ আগৰ সৌম্য শান্ত মূৰ্ত্তি ধাৰণ কৰিলে। এইটো কিবা আধিদৈৱিক বা আধিভৌতিক উৎপাত বুলি ধৰি পিতৃদেৱতাই পণ্ডিত ব্ৰাহ্মণসকলৰ দ্বাৰায় ইয়াৰ পিছত স্বস্ত্যয়ন, শান্তিকৰ্ম কৰোৱালে, আৰু নাম-ঘৰ বা গোসাঁই-ঘৰত পাল-নাম গোৱালে। এই ঘটনাৰপৰা কিছু দিনলৈকে আমি সেই পুখুৰীত আমাৰ উৎকট জল-ক্ৰীড়া স্থগিত কৰি ৰাখিছিলোঁ; কিন্তু তাৰ পিছত—"যথা পূৰ্ব্বং তথা পৰং।" সকলোতকৈ সৰহ সময় মই পানীৰ তলত বুৰ মাৰি থাকিব পাৰিছিলোঁ; আৰু একে বুৰতে চাৰি-পৰীয়া পুখুৰীটোৰ এচুকৰপৰা diagonally আনটো চুকত ওলাইছিলোঁগৈ। পুখুৰীটোৰ এটা পাৰত একে ঠাইতে লগালগিকৈ এজোপা কঠাল, এজোপা তামোল আৰু এজোপা তেতেলি গছ আছিল। তেতেলি গছৰ ডালবোৰ পুখুৰীটোৰ পানীৰ ওপৰলৈকে মেল খাই গৈছিল। তেতেলিৰ ডালত উঠি তাৰপৰা জাপ মাৰি জপং কৰে পানীত পৰাটো মোৰ নিত্যকৰ্ম্মৰ এটা কৰ্ম্ম আছিল। পাৰৰপৰা ওলোটা খৰ মাৰি পুখুৰীত পৰাটোও মোৰ আন এটা বাহাদুৰীৰ কাম আছিল। মুঠতে ঘাটেদি বা সোঁ-বাটেদি পুখুৰীত নামি গা ধোৱা বা পুখুৰীৰ সৈতে "লেনদেন" কৰাটো মোৰ স্বভাৱ-বিৰুদ্ধ হৈ পৰিছিল।

মই সাঁতোৰা বিদ্যাত পৰিপক্ক হলো যেতিয়া সঙ্গীসকলেৰে সৈতে যুক্তি কৰি একো একোদিন দিখৌত সেই কাৰ্য্য কৰিবলৈ ধৰিলোঁ। বাৰিষা দিখৌত সাপৰ-নেগুৰ-ছিগা সোঁত। একো একোদিন তেনে দিখৌত পৰি সাতুৰি ইপাৰ-সিপাৰ হৈছিলোঁ। দিখৌৰ দুই পাৰে দুটা খুটা পুতি তাৰপৰা লোৰ তাঁৰ লগাই তাত পাৰ নাও বান্ধি মানুহ, খোৰা, গাড়ী পাৰ পাৰ কৰা হয়। বাৰিষা আমি সেই পাৰ-নাৱত উঠি নৈৰ মাজ পাই তাত নাৱৰপৰা খৰ মাৰি দি পৰি সাতুৰি পাৰ হওঁ। এইটো উজু কাম যে নহয়েই বৰং risky বিপদজনকেই বুলিব লাগে; কিন্তু মোৰ মনত ভয়-সংশয় একো নুপজিছিল। এই কাৰ্য্য কিন্তু আমি পিতৃদেৱতাৰ অগোচৰতহে কৰিছিলোঁ, কেনেবাকৈ তেওঁৰ গোচৰলৈ আহিলে শাস্তি পাইছিলোঁ।

বুদুৰাম মুক্তিয়াৰ নামৰ ভকত এজনক আমাৰ পুখুৰী পাৰতে ঘৰ দি দেউতাই ৰাখিছিল। তেওঁ কমলাবাৰী সত্ৰৰ ভকত আছিল। কমলাবাৰীৰ ভকতক সদায় পুৰা-গধূলি একোকঠা চাউল দি আমাৰ ঘৰত পোহা পিতৃদেৱতাৰ এটা অখণ্ড কাৰ্য্য আছিল। বুদুৰাম মুক্তিয়াৰক আমি সকলোৱে "বুদু আতৈ" বুলি মাতিছিলোঁ আৰু শ্ৰদ্ধা আৰু সন্মান কৰিছিলোঁহক। তেওঁ বাঢ়ৈৰ কাম ভালকৈ জানিছিল। তেওঁৰ দ্বাৰায় আমি পমা কাঠৰ সৰু নাও এখন কৰাই লৈ পুখুৰীত নাও বাই ফুৰি, মাজতে আপোন ইচ্ছাতে নাওখন বুৰাই, পানীতে আকৌ সিঁচি লৈ তাত উঠি অপাৰ আনন্দ ভোগ কৰিছিলোঁ। মোৰ এই নৌ-বিহাৰ ইমান বঢ়া-বঢ়িত পৰিছিলগৈ যে দেউতা শুলে জোনাক ৰাতি মনে মনে আহি নাও খেলাই ফুৰিছিলোঁ। "সৰ্ব্বমত্যন্তং গৰ্হিতং" বুলি কোৱা কথাই ফলিল। এদিন ৰাতি সেই কাৰ্য্য কৰি থাকোতেই হাতে-কলমে ধৰা পৰিলোঁ; "ফলং প্ৰহাৰং" হল আৰু পিছদিনা নাওখন forfeited অৰ্থাৎ "জপৎ" বা জৰিমনা হৈ কটা পৰিল, আৰু দুই-চাৰি দিনতে সি বুদু আতৈৰ সহায়ত এখন তক্তাপোছ বা চাল্পীৰাত পৰিণত হল। ইন্দ্ৰৰ দোষত আশ্ৰম-বিহাৰী অহল্যা সুন্দৰী পাষাণী হৈছিল, আৰু মোৰ দোষত আমাৰ জলবিহাৰী নাও-সুন্দৰী চাল্পীৰা হল।

লগুণ-দিয়নি। একেদিনাই মোৰ আৰু মোৰ ভতিজা এটাৰ লগুণ-দিয়নি হৈছিল। যদিও "প্ৰাইভেট" (private) অৰ্থাৎ অশাস্ত্ৰীয় ৰকমে মোৰ কৰ্ণবেধ অৰ্থাৎ কাণ-বিন্ধনি কেতিয়াবাই হৈ, কাণৰ ভোমোলা বিন্ধাত সীহৰ কঁৰিয়া, খৰিকা আৰু কুঁহিলাবেপৰা আৰম্ভ কৰি সোণৰ বাখৰ পতোৱা লংকেকৈ পৰ্য্যন্ত সোমাই ওলমি টিঙিল্‌মিলাইছিল, তথাপি "অফিচিয়েলি" (officially) অৰ্থাৎ শাস্ত্ৰীয় ৰকমে কৰ্ণবেধ আৰু চূড়াকৰণ আদি ব্ৰাহ্মণৰ দশসংস্কাৰৰ ভিতৰুৱা সংস্কাৰ সেইদিনা লগুণ-দিয়নিৰে সৈতেহে সমাপিত হৈছিল। এটা কথা এইখিনিতে কৈ থোৱা বাওক যে লগুণ-দিয়নিলৈ চাৰি-পাঁচ দিন থকাবেপৰা দিনৌ, আমাৰ চৌলৰ ভিতৰত নিবাস কৰোঁতা অব্ৰাহ্মণসকলৰ বহাৰপৰা অন্ন-ব্যঞ্জন ভোজনৰ অৰ্থে মোলৈ ভূৰি ভূৰি নিমন্ত্ৰণ আহিছিল; আৰু মই আনন্দ মনেৰে নিমন্ত্ৰণবোৰ ৰক্ষা কৰি আত্মতুষ্টি আৰু পৰতুষ্টি সম্পাদন কৰিছিলোঁ। এনে মুখামুখি সময়ত এনে নিমন্ত্ৰণৰ জাউৰি উঠাৰ অৰ্থো মানে আছিল। শাস্ত্ৰৰ বচন হৈছে, "জন্মনা জায়তে শূদ্ৰঃ" অৰ্থাৎ উপজিৱৰেপৰা যদিও মই বামুণৰ লৰা, তথাপি শাস্ত্ৰমতে সংস্কাৰ নোহোৱালৈকে এজতুৱা শূদিৰ হৈয়ে আছিলোঁ;—যদিও এনেকুৱা শূদ্ৰত্ব অমুক শৰ্ম্মা পণ্ডিত বিদ্যাৰ্ণৱ বাপুৰ ঘৰৰ পখিলী নামৰ মেকুৰী-জনীৰ "মেকুৰীত্ব"ৰ শাৰীৰহে। অৰ্থাৎ পণ্ডিত বাপুদেউৰ মেকুৰীজনী যদিও বামুণৰ ঘৰৰ মাৰ্জ্জাৰী, তথাপি তাই খিতাতে ওচৰ-চুবুৰীয়া কৈৱৰ্ত্তৰ ঘৰত সোমাই পোৱা মাছ পঁইতা ভাত খাই জিভাৰে কোৱাৰি চেলেকি আহি, পণ্ডিত বাপুৰ ভাতৰ পাতৰপৰাও তপত তপত ভজা মাছ লৈ যদিও দ্ৰুত গতিৰে প্ৰস্থান কৰে, তথাপি বাপুৰ বঢ়া ভাতে অশুচি হব নোখোজে কাৰণ বাপুৱে বিৰালীৰ ব্যৱহাৰ দেখি কিংকৰ্ত্তব্য-বিমূঢ় নহৈ "মাৰ্জ্জাৰী গমনে শুদ্ধি" বুলি মন্ত্ৰ মাতি সেই অন্নকে শুদ্ধ কৰি লৈ, নাগ-কূৰ্ম্মকে প্ৰমুখ্য কৰি পঞ্চ দেৱতাক অৰ্পণ কৰি পঞ্চগ্ৰাস কৰি ভোজন কৰাত ত্ৰুটি নাই। যি হওক; "সংস্কাৰাৎ দ্বিজ উচ্যতে" অৰ্থাৎ মোক লগুণ দিলেই মই দ্বিজ হম, আৰু দ্বিজ হলেই শূদিৰৰ ঘৰত ভাত খোৱাৰ স্বাধীনতা মোৰ নাইকিয়া হব; মই বামুণত্ব শাৰীলৈ উঠিম, আৰু উঠিলেই চিৰকাললৈকে মই শূদিৰ বন্ধুসকলৰপৰা বিহাৰত নহলেও অন্ততঃ আহাৰত এৰা-এৰি হম, এই নিমিত্তে, অৰ্থাৎ মই বামুণ হোৱাৰ বিপদত বা সম্পদত পৰাৰ আগতে, মোক তেওঁলোকৰে এটা বুলি ইমান দিন ভাব কৰি আহোঁতা তেওঁলোকে ভালকৈ একোসাজ খুৱাই তৃপ্তিৰ ধাৰ শুজি লৈছিল।

শিৱসাগৰত ত্ৰিলোচন শৰ্ম্মা নাজিৰ বুলি এজন ডাঙৰ পণ্ডিত ব্ৰাহ্মণ আছিল। তেওঁ সকলো বামুণীয়া বিধি-বিধান দিয়া কাৰ্য্যত, আৰু শান্তিকৰম, গ্ৰহযজ্ঞ, তিলহোম, বটুক-পাঠ, বিয়া-শৰাধ আৰু লগুণ-দিয়নি আদি কাৰ্য্যত অতি পৰিপক্ক আছিল। সঁচাকৈয়ে ত্ৰিলোচন নাজিৰদেউ বৰ পণ্ডিত মানুহ আছিল। নাজিৰ আমাৰ ঘৰৰ পুৰোহিত আছিল। মোৰ লগুণ-দিয়নিত তেৱেঁই প্ৰধান পুৰোহিত আৰু প্ৰধান দ্ৰষ্টা আছিল। অপ্ৰধান কাৰ্য্যকাৰক আন আন অনেক ব্ৰাহ্মণ পণ্ডিতেৰে সৈতে, কমোলৰ নামেৰে বৃদ্ধ পণ্ডিত এজনৰ কথাও মোৰ মনত আছে। হোমৰ অন্তত কমো বাপুৱে যেতিয়া হাতত দুৰ্ব্বা লৈ, শ্ৰুৱৰ নালৰ তলিত হোমৰ থিউৰে সৈতে ভস্ম বা ছাই সানি সেই ভস্মৰ ফোট মন্ত্ৰ মাতি আমাৰ কপালত দিবলৈ উদ্যোগ কৰিছিল, সেই উদ্যোগ-পৰ্ব্বৰ অভিনয় দেখি, হাঁহিয়ে মোৰ পেটত আঙোৰ-পাঙোৰ কৰি মুখৰপৰা খুকুখুকনি তুলি দিছিল। পিতৃদেৱতাৰ এটা ভাবিয়েহে সেই বিদ্ৰোহী হাঁহিক দবাই তেতিয়া মোক প্ৰকৃতিস্থ কৰিব পাৰিছিল। হাঁহিৰ কাৰণটো অৱশ্যে মই কওঁ;—কমো বাপু বুঢ়া মানুহ। তেওঁৰ হাত বৰকৈ কঁপিছিল। "কাণ্ডাৎ কাণ্ডাৎ প্ৰৰোহন্তীঃ পুৰুষঃ পুৰুষঃ পৰি এৱা নো দূৰ্ব্বে প্ৰতনু সহস্ৰেণ শতেন চ' (ইয়াৰ মানে—প্ৰত্যেক কাণ্ড বা গাঁঠিৰপৰা দূৰ্ব্বাঙ্কুৰ যেনেকৈ উদ্‌গত হয়, আৰু পুৰুষ-পৰম্পৰা-ক্ৰমে বৰ্দ্ধিত হয়, তুমি, হে দূৰ্ব্বা! সেইদৰে বংশ পৰম্পৰাক্ৰমে শত-সহস্ৰ বৰ্দ্ধিত কৰা)—বেদৰ এই শ্লোকটো মাতি কমো বাপুৱে যেতিয়া আমাৰ কপালত ভস্মৰ ফোট একোটা দিবলৈ গৈছিল, আমি সেই পৱিত্ৰ ফোট লবলৈ তেতিয়া তেওঁৰ আগত আঁঠু কাঢ়ি আছিলোঁ। তেওঁ কঁপা হাতেৰে অতি কষ্টেৰে ফোট দিবলৈ গৈ, সেই ফোট ঠিক ঠাইত দিব নোৱাৰি, কাৰো চেলাউৰিত, কাৰো নাকত, কাৰো গালত, তেওঁৰ অতি অনিচ্ছা সত্বেও দিছিল; দিছিল মানে, তেওঁ দিয়া ফোট আপোন মতলবেৰে যতে ততে পৰিছিল। ফোটৰ এনে বিপৰীত বিন্যাস লক্ষ্য কৰি বেদ-মন্ত্ৰৰ উদাত্ত-অনুদাত্ত-স্বৰ-বিকম্পিত গাম্ভীৰ্য্যৰ ব্যোম ভেদ কৰি মোৰ খুকুখুকীয়া হাঁহি বিষম বিদ্ৰোহী হৈ উঠিছিল। এই ব্যাপাৰটো ঠিক যেন—কোনো বাপৰবুগীয়া পূজাৰীয়ে তেওঁৰ গোঁসাই-ঘৰত অকলৈ বহি শালগ্ৰাম বা দেৱতাৰ মূৰ্ত্তিৰ আগত মৃদু কণ্ঠেৰে একান্ত মনেৰে স্তোত্ৰ পাঠ কৰি থাকোঁতে সেই গোঁসাইঘৰৰ মুধচত জানিবা দুটা ডাল-পলিয়াৰ দন্দ-হাইৰ ধ্বনিৰে অকস্মাৎ সেই পৱিত্ৰ স্তোত্ৰৰ পৱিত্ৰতাৰণ-ভেদ।

লগুণ-দিয়নিৰ অন্তত যেতিয়া টকলা-মূৰীয়া এডলীয়া টিকনীয়া "বাচচা" ব্ৰহ্মচাৰী লৰা মই হাতত পলাশৰ ডাল এটাৰ দণ্ড, কমণ্ডলু আৰু ভিক্ষাৰ

বোনা হাতত লৈ মাতৃদেৱীৰ আগত উপস্থিত হলোঁগৈ, আৰু "ভৱতি মাতৰ ভিক্ষাং দেহি।" বুলি তেওঁক ভিক্ষা মাগিলোঁ, আৰু মোক বেঢ়ি থকা নাৰতী তিৰুতাবোৰে "—এ নাবাবা ৰবাগী হৈ এ!" বুলি করুণৰসাত্মক গীত ধৰিলে,দেখিলোঁ মাতৃদেৱীৰ চকু চলচলীয়া হল, আৰু তেওঁ ৰিহাৰ আঁচলেৰে চকু মচিবলৈ ধৰিলে। কিয় কব নোৱাৰোঁ, তত্তালিকে মোৰো চকুৰপৰা দুধাৰ লো বৈ গল। মই তিন দিনলৈকে এই ব্ৰহ্মচাৰ্য্য ৰাখি অন্তত দণ্ড পৰিত্যাগ কৰিলোঁ। সন্ধ্যাৰ সৰু পুথি এখনৰ মন্ত্ৰ এই তিন দিনৰ ভিতৰত সম্পূৰ্ণকৈ মুখস্থ কৰিব লগীয়াত পৰিছিলোঁ; আৰু অগত্যা কৰিছিলোঁও। প্ৰথম দিনচেৰেকলৈকে আনে দেখুৱাই দি মোক সন্ধ্যা কৰিবলৈ শিকাইছিল পিছত নিজেই কৰিব পৰা হলোঁ।

তেতিয়া সন্ধ্যাৰ মন্ত্ৰবোৰ মোৰ মনত শত্ৰুৰ দোৱান যেন লাগিছিল; কাৰণ তাৰ মানে একো নুবুজিছিলোঁ; আৰু আনে বুজাইও নিদিছিল, অথচ মুখস্থ মাতি সেইবোৰেৰে সন্ধ্যা কৰিবলগীয়াত পৰিছিলোঁ; নকৰিলে হেনো ব্ৰাহ্মণ পতিত হয়। সেইদেখি প্ৰাণপণে সেই কাৰ্য্য সমাপণ কৰিছিলোঁ। মই অনেক কালৰ পিছতহে হৃদয়ঙ্গম কৰিছিলোঁ যে সন্ধ্যাৰ বেদমন্ত্ৰবোৰৰ মানে অতি সুন্দৰ; অথচ মোক আগে সেইবোৰৰ মানে কোনেও ভালকৈ বুজাই নিদি সেইবোৰক মোৰ পক্ষে সন্নিপাত জ্বৰত পৰা মানুহৰ বীৰ-বিয়নি আৰু সন্ধ্যাৰ অনুষ্ঠানবোৰক সেই নৰিয়াৰে আনুষঙ্গিক বস্তু বুলি ভবা কৰি তুলিছিল। আগডোখৰত সেইদেখিয়েই মই দিনো পাঁজি মেলি আঁউসী একাদশী বিচাৰি কৰিছিলোঁ, যাতে সন্ধ্যা খতি পাওঁ; কাৰণ "সায়ং সন্ধ্যা নাস্তি" পাঁজিৰ বচন মোৰ পক্ষে স্বস্তি-বচন হৈ পৰিছিল।

প্ৰথমতে মোক বঙ্গলা স্কুলত নাম লগাই দিয়া হল; একেবাৰেই তৃতীয় শ্ৰেণীত। সেই কালত অসমীয়াৰ মাতৃভাষা বঙ্গলা; অসমীয়া ভাষাটো এটা স্বতন্ত্ৰীয়া ভাষা নহয়, মাথোন বঙ্গলা ভাষৰহে এটা হেনাহচা মাত, এই ভ্ৰমৰ বশবৰ্ত্তী হৈ, গৱৰ্ণমেণ্টে আসামত অসমীয়া লৰাৰ নিমিত্তে "আদৰ্শ বঙ্গবিদ্যালয়" নাম দি, ছাত্ৰবৃত্তি "পাছ" কৰিবলৈ বঙ্গলা স্কুলবোৰ পাতি দিছিল। আমাৰ শিৱসাগৰতো ইংৰাজী স্কুলৰ ওচৰতে পাৰী পাতি এনেকুৱা মিছা দাবীৰ চোকাৰে থিয় হোৱা "আদৰ্শ বঙ্গবিদ্যালয়" এটাই বৰ ঘৰ, বৰ মেজ, বৰ চকি, বেঞ্চ লৈ, অসমীয়া কুমলীয়া লৰাৰ কুমলীয়া মনৰ ওপৰত বেঁহ পিহা জাতৰ নিচিনা বঙ্গলা ভাষাৰ জাত এখন ঘৰ্ঘৰ কৰে ঘুৰাই আছিল। সেই স্কুলতে প্ৰথমতে মোৰ প্ৰৱেশ ঘটিল। তাৰ হেডপণ্ডিতজন আৰু দ্বিতীয় পণ্ডিতজন বঙ্গদেশীয়; তৃতীয় পণ্ডিতৰে পৰা আৰম্ভ কৰি তলৰ কেইজন অসমীয়া আছিল। হেড্‌পণ্ডিতজনৰ নাম তাৰক বাবু (তেওঁৰ উপাধিতো পাহৰিলোঁ), দ্বিতীয়জনৰ নাম প্ৰাণকৃষ্ণ কৰ। যিজন তৃতীয় পণ্ডিতৰ তলত মই বঙ্গলা বিদ্যা উপাৰ্জ্জন কৰিব লগীয়াত পৰিছিলোঁ তেওঁৰ নাম লম্বোদৰ আছিল। তেওঁ তেওঁৰ উপাধিৰ ঠাইত দত্ত নে দাস লেখিছিল, মোৰ মনত নাই; কিন্তু এই দুটাৰ এটা নিশ্চয় হব। সেই কালত অনেক অসমীয়া শূদ্ৰ জাতৰ মানুহে, বঙ্গালীৰ দেখাদেখি নিজৰ নামৰ লগত দত্তৰ নিচিনা বঙ্গালী উপাধি লগাই দিয়া দেখিছিলোঁ। তেওঁলোকৰ মনত এবাৰো বোধ কৰোঁ খেলোৱা নাছিল যে দাস উপাধিটো শাস্ত্ৰ মতে লেখি চলাই দিব পাৰিলেও, দত্ত উপাধি অসমীয়াৰ পক্ষে অচল। যি হওক, কোনো কোনো অসমীয়াইতো দত্ত হৈয়েই আহকাল-খৰিয়ালৰ হাত সাৰি ডাঢ়ি-চুলি পকাই দিছিল। মাথোন এদিন এজন অসমীয়া দত্তৰ নাওখন দৈবাৎ আমাৰ ঘৰত ঘপ কৰে চটত লগা দেখিছিলোঁ। আমাৰ ঘৰৰ চৰাতে পৰ্ব্বতীয়া গোসাঁইৰ সম্পৰ্কীয় এজন বঙ্গালী ভদ্ৰলোক বহি আছিল; এনেতে অসমীয়া দত্ত এজন উপস্থিত হলহি। তেওঁক সেই বঙ্গালী ভদ্ৰলোকজনেৰে চিনাকি কৰি দিয়াৰ পিছত, বঙ্গালীজনে তেওঁৰ নাম সুধি যেতিয়া দত্ত পালে, তেতিয়াই তেওঁ কোন খেলৰ, কোন মেলৰ দত্ত এইবোৰ প্ৰশ্নেৰে তেওঁক তহিলং কৰি পেলালে। দত্তই "আমতা আমতা" কৰি অলপ পৰ থাকি সভা ত্যাগ কৰিহে এই আহুকলীয়া অৱস্থাৰ হাত সাৰিছিল।

লম্বোদৰ পণ্ডিতৰ বৰণটো ক'লা, মুখত গুটি-সাঁচ আৰু বয়স ভৰ ডেকা আছিল। তেওঁৰ ছাত্ৰক পঢ়োৱা গঢ়টোও সেইকলীয়া স্কুল মাষ্টৰীয়া প্ৰথাৰে অভিন্ন আছিল। মই তেওঁৰ ৰুদ্ৰ তেজেৰে তাপিত হৈ, তেওঁৰ অসমীয়া মুখৰ দ্বাৰায় উচ্চাৰিত হৈ জাত-এৰা বঙ্গলা শুনি, শিকি আৰু পঢ়ি, চকু-মুৰ মুদি কোনোমতে এবছৰ কটাই দিছিলোঁ। মোৰ বঙ্গলা-স্কুলীয়া জীৱনত ঘটা দুটা কথা মাথোন মনত আছে। এদিন মোৰ পেট কামুৰিছে বুলি মই হেড্‌পণ্ডিত তাৰক বাবুৰ ওচৰত ছুটী লবলৈ গৈছিলোঁ। তাৰক বাবুৱে মোক পাই আমাৰ কোমল-চাউল-ভোজনৰ বিৰুদ্ধে অনেক ৰসিকতা কৰি এটা বুজন বিধৰ বক্তৃতা শুনাই দিলে; কাৰণ তেওঁৰ সুযোগ উপস্থিত যে মোৰ ছুটীৰ দৰ্খাস্ত "পেচ কৰা" কাৰণটো পেট-কামোৰণি আছিল। হেড্‌পণ্ডিত বাবুৰ বক্তৃতাৰ অন্তত মোৰ মনত খেলাইছিল যে কি লাজৰ কথা, কি "শৰমত মৰিব্য" কথা, যে আমি অসমীয়াবোৰে

কোমল-চাউল খোৱাৰ নিচিনা অসভ্য কাম কৰোঁ-হক। অৱশ্যে এই শিক্ষাৰ কাৰণেই মোৰ পেটৰ কামোৰণি নহয়, বিননো, মানুহাই একো একো দিন ভাতকৈও ডাঙৰ ডাঙৰ পেট-কামোৰণি নাগা-জ্জুনৰ বৰি খাই অম্লানবদনে হজম কৰিছিলোঁ; কাৰণটো হেড্‌পণ্ডিতৰ বক্তৃতাৰ ফলত হোৱা জাতীয় দুষ্কাৰ্য্যৰ নিমিত্তে আত্মগ্লানিৰ কামোৰণি। "আমাৰ আদৰ্শ বঙ্গবিদ্যালয়"ৰ আদৰ্শ বঙালী হেড্‌পণ্ডিত সৰ্ব্ববিদ্যা-বিশাৰদ তাৰক বাবুৱে কোমল-চাউলক এনেকৈ কুকুৰে কাঁইট নোখোৱাকৈ যেতিয়া কদৰ্থনা কৰিছে, আৰু সেই কদৰ্থনা যেতিয়া তেওঁৰ বিদ্যাৰন্ত মুখ-নিঃসৃত, কোমল-চাউল খোৱাটো নিশ্চয় আমাৰ অসভ্যতাৰ চিন। দ্বিতীয়তো ;—আমাৰ শ্ৰেণীৰে দুষ্ট লৰা এটাই এদিন মোৰ ক্ষেত্ৰতত্ব (জ্যামিতি) কিতাপটোৰ পাত এটা (যিটোত ৫ম প্ৰতিজ্ঞা আছিল) মোৰ অসাক্ষাতে বেজী এটাৰে ফুটাই ঠকা-সৰকা কৰি দিলে। সিযে কিয় তেনে কৰিলে, তাৰ মনৰ কি ভাব, মই বুজিব নোৱাৰিলোঁ; অনুমান কৰোঁ সি সেই প্ৰতিজ্ঞাটো আয়ত্ত কৰিব নোৱাৰি সম্ভবতঃ লম্বোদৰ পণ্ডিতৰ হাতত লাঞ্ছিত হৈ, মোৰ কিতাপত থকা প্ৰতিজ্ঞাটোৰ ওপৰত সেই দৰে প্ৰতিশোধ ললে। যি হওক, শতছিদ্ৰযুক্ত পাতটিৰ লগে লগে মোৰ মনতো শোকৰ ছিদ্ৰ এশটা হল আৰু শতধা-বিভক্ত ছিদ্ৰবোৰৰপৰা ততালিকে সন্মিলিত দুধাৰ লো বৈ গ'ল। কিন্তু কাৰো দ্বাৰায় সেই প্ৰবাহিনীৰ গতি পৰিলক্ষিত হৈছিল যেন মোৰ মনে নধৰে; কাৰণ সান্ত্বনা বাক্যৰ শুকান কাপোৰৰ আঁচলৰূপী অগস্ত্যক আনি, কোনেও সেই প্ৰবাহিনীৰ প্ৰবল জল পান কৰি দিবৰ অৰ্থে মোৰ ওচৰত উপস্থিত কৰা নাছিল।

ইয়াৰ এবছৰ পিছত মোক ইংৰাজী স্কুলৰ তলৰ শ্ৰেণী এটাত নাম লগাই দিয়া হল। শ্ৰীযুত লোকনাথ শৰ্ম্মা নামেৰে এজন মাষ্টৰৰ তলত পৰিলো। তেওঁৰ মতা নাম টেপু আছিল। টেপু মাষ্টৰ ভয়ানক disciplinarian অৰ্থাৎ নিয়ম-প্ৰিয় শিক্ষক আছিল। লৰাক পঢ়োৱাতকৈ discipline-অৰ ফালে তেওঁৰ প্ৰখৰ দৃষ্টি। স্কুলীয়া নিয়মেই হওক বা ঘৰুৱা নিয়মেই হওক, সেইবোৰ নিখুঁত-ভাৱে লৰাৰ দ্বাৰায় যাতে পালিত হয়, তাৰ নিমিত্তে তেওঁ যত্নশীল আছিল, যদিও সেই নিয়মবোৰৰ অধিকখিনি প্ৰচলিত পুৰণিকলীয়া অনিয়মৰ নামান্তৰ মাথোন। কোনো লৰাৰ দ্বাৰায় ওপৰত কোৱা কোনো নিয়মৰ গাত আঁচোৰ এটা লাগিলেই তাৰ পিঠিত বেত্ৰাঘাত পৰিছিল। নিজৰ ঘৰতো কেতিয়াবা কোনো ছাত্ৰৰে যদি কোনো ঘৰুৱা নিয়মৰ ব্যতিক্ৰম কৰে,—যেনে, ককায়েকৰ মুখে মুখে উত্তৰা-উত্তৰি কৰা, দদায়েকে কিবা কৰিবলৈ পাচিলে নকৰা, বা কৰিবলৈ গাধিলি কৰা, ইত্যাদি—আৰু সেই সংবাদ কিবা স্বৰূপে মাষ্টৰ শ্ৰীযুত লোকনাথ শৰ্ম্মাৰ গোচৰীভূত হল, তেন্তে তাৰ বাবে পিছদিনা স্কুলত সেই ছাত্ৰৰ পিঠিত বা হাতৰ তলুৱাত তেওঁৰ দ্বাৰায় স্বহস্তদত্ত বেত্ৰাঘাত, নাইবা বেঞ্চৰ ওপৰত থিয় হোৱা শাস্তি। এই লেখকৰ কপালতো যে তেনেকুৱা কাৰণৰ নিমিত্তে তেনে বিধৰ দণ্ড দুদিন-এদিন নঘটিছিল, এনে নহয়। টেপু মাষ্টৰক লৈ আমি বৰ আহুকালত পৰিছিলোঁহক। তেওঁ ক্লাচত বহি থাকোঁতে, কেতিয়াবা থাকি থাকি, আমাক মাৰিবৰ কাৰণ উলিয়াবলৈকে হবলা, মুখখন ওফোন্দাই, বা ওঁঠ দুটা বেঁকা কৰি অঙ্গি-ভঙ্গি কৰিছিল, আৰু পাতল মনৰ আমি সেই অঙ্গি-ভঙ্গি দেখি হাঁহি সামৰিব নোৱাৰি হাঁহি দিছিলোঁ, আৰু হাঁহিলেই লাগিছিল লেঠা; তাৰ ফল—হাতৰ তলুৱাত বা পৃষ্ঠদেশত এটি বেতৰ মজলীয়া বিধৰ কোব। কিন্তু মূঠতে শ্ৰীযুত লোকনাথ শৰ্ম্মা মাষ্টৰ বডিয়াল মানুহ আছিল; আৰু আমি তেওঁক যে বেয়া পাইছিলোঁহক এনে নহয়।

শ্ৰীযুত ধৰ্ম্মেশ্বৰ নামৰ আৰু এজন মাষ্টৰ আছিল। তেৰোঁ কম "ডিছিপ্লিনেৰিয়ান" নাছিল, কিন্তু ওজনত তেওঁৰ পঢ়োৱাৰ জোখ বেছি আছিল দেখি "ডিছিপ্লিন"ৰ ভৰ আমি কেঁকো-জেঁকোকৈ সহিছিলোঁহক। তেওঁৰ মূৰটো টপা আছিল দেখি, আমাৰ ভিতৰৰ দুষ্টবোৰে তেওঁৰ নাম ৰাখিছিল "টপা মাষ্টৰ," আৰু তেওঁৰ অসাক্ষাতে তেওঁৰ উল্লেখ সেই নামেৰেই কৰিছিল।

মতিলাল ঘোষ নামেৰে বঙালী ছাত্ৰ এজনে প্ৰথম শ্ৰেণীত অৰ্থাৎ এণ্ট্ৰেঞ্চ ক্লাচত পঢ়িছিল। তেওঁক প্ৰথম শ্ৰেণীত ধ্ৰুৱ তৰাৰ দৰে কত বছৰ যে দেখিছিলোঁ, ঠিক নাই। তেওঁ কঁটীয়া আৰু ডাঢ়ীয়া আছিল। তেওঁৰ মুখত ভোৰোকাৰ ডাঢ়িৰ প্ৰভাৱ ইমান সৰহ আছিল, যে তেওঁৰ মূৰটোতকৈ ডাঢ়িৰ ভৰ সৰহ, এই ভুল ধাৰণা অনেক কাললৈকে মোৰ মনত আছিল। তেওঁক মাজে মাজে আমাৰ শ্ৰেণীত পঢ়াবলৈ হেড্‌মাষ্টৰে পঠিয়াই দিছিল। মনত আছে, তেওঁ আহিলেই গোটেইটো স্কুলৰ চকু তেওঁৰ ফালে পোন হৈছিল; কাৰণ তেওঁ আহিয়েই ক্ষন্তেকৰ ভিতৰতে ইটোক "Stand up on the bench, Sir!" সিটোক "Go out of the class Sir, You!" এনেবোৰ হুকুমৰ ভৈৰৱ নিনাদেৰে স্কুল-ঘৰটো খলক লগাই পেলাইছিল।

শ্ৰীযুত গোলাপচন্দ্ৰ ঘোষ নামেৰে এজন মাষ্টৰে আমাক ওপৰ ক্লাচত পঢ়াইছিল। তেওঁ মৃদু স্বভাৱৰ আৰু সৰল প্ৰকৃতিৰ মানুহ আছিল। তেওঁলোক

বহুকলীয়া আসাম-প্ৰবাসী বঙ্গালী। আচাৰ-ব্যৱহাৰ আৰু কথাত তেওঁলোক প্ৰায় অসমীয়াৰ নিচিনা হৈ গৈছিল। তেওঁৰ পিতাক ঠাকুৰদাস ঘোষক দেখা মোৰ এতিয়াও মনত আছে। ঠাকুৰদাস ধাৰ্ম্মিক আৰু মৃদু স্বভাৱৰ মানুহ আছিল। গোপাল বাবুৱে আনৰ ক্লাছলৈ আহি দিনৌ, ছপা কৰা মানে-কিতাপ এখন হাতত লৈ ক্লাছত বহা প্ৰথম লৰাটোৰেপৰা আৰম্ভ কৰি, মানে-কিতাপখনত থকা শব্দবোৰৰ মানে এটাৰ পিছত এটাকৈ সুধি গৈছিল। আমি তেওঁৰ গতি বুজি জুৱাচুৰি বুদ্ধি উলিয়াই, ক্লাছত ব'ত বহোঁ তালৈকে, প্ৰথমটো লৰাকে পৰা লেখি আনি, আৰু মানে থকা কিতাপৰ শব্দবোৰো সেই-দৰে লেখি আনি, কাৰ গাত কোনটো শব্দৰ মানে কোৱাৰ ভাৰ পৰিব সেইটো ঠিক কৰি লৈ মুখস্থ কৰি থওঁহক, আৰু গোপাল বাবুৱে আমাৰ পৰা টপৰ্ কৰে নিৰ্ভুল উত্তৰ পাই ভাবে লৰাহঁতে বাড়িয়াকৈ সিহঁতৰ "লেছন" তৈয়াৰ কৰি থৈছে। এনেকৈ অনেক দিন চলি আছিল; আৰু আমিও ভটীয়া পানীত উটি গৈ আছিলোহঁক। কিন্তু এদিন বিধি বিবাদী হল আৰু আমাৰ বিড়ম্বনা ঘটিল। গোপাল বাবুৰ বুকুত কিহে খুন্দিয়াই দিলে কব নোৱাৰো, তেওঁ সেই কৱাল-বন্ধা নিয়ম ভঙ্গ কৰি, মানে-কিতাপখন হাতত লৈ শব্দ-শ্ৰেণীৰ প্ৰাস নাৰাখি ব'ৰে ত'ৰেপৰা মানে সুধিবলৈ ধৰিলে; ফলত আমাৰ ছত্ৰভঙ্গ হল। আমাৰ ফলীয়া বণুৱাবোৰ বিদ্যাৰ পৰ্ব্বতৰ গাৰ পৰা খহি পৰিবলৈ ধৰিলে। মনত আছে, গোপাল বাবুৱে মোৰপৰা তেওঁৰ প্ৰশ্নৰ বলিয়ালি অৰ্থাৎ ভুল উত্তৰ শুনি লাহেকৈ মোক তিৰস্কাৰ কৰি কলে "আজি মদংখানাৰপৰা এই-ফালে বতাহ মাৰিছিল নেকি?" মই সেই তিৰস্কাৰৰ আচল মৰ্ম্মত যদিও তেতিয়া প্ৰৱেশ কৰিব নোৱাৰিছিলোঁ, তথাপি এইটো বুজিছিলো, যে মাষ্টৰে মোক গুৰু শুনাই দিলে। যি হওক, সেই দিনাৰ পৰা মই সকলো চালাকী পৰিত্যাগ কৰি লেছনটোৰ শব্দৰ মানে মুখস্থ কৰি তেওঁৰ সমুখ হবলৈ ধৰিলোঁ। ইয়াৰ পিছত দুদিন-চাইদিন গোপাল বাবুৱে আমাক মানে-কোৱা বিদ্যাত ঠিক পাই, আকৌ আগৰ ৰীতিলৈ উভতি গল, আৰু আমাৰ ভিতৰৰো অনেকে পৰিত্যক্ত টেঙৰালি পুনৰ অৱলম্বন কৰিলে।

শ্ৰীযুত তোয়ধৰ শৰ্ম্মা নামেৰে পণ্ডিত এজন কিছু দিনৰ নিমিত্তে আমাক সংস্কৃত পঢ়োৱা পণ্ডিত হৈছিল। সংস্কৃতত তেওঁৰ প্ৰগাঢ় ব্যুৎপত্তি আছিল। তেওঁৰ সাজ-পাৰ আমাৰ দেশৰ পুৰণি-কলীয়া বিধৰ আছিল। এদিন তেওঁ মুগাৰ চুৰিয়া পিন্ধি আহি ক্লাছত বহি-লতে আমাৰ ভিতৰৰ টপ্‌টপীয়া লৰা এটাই মাত লগালে, "আজি ছাৰে (Sir) মুগাৰ চুৰিয়া পিন্ধি আহিছে।" এই কথা শুনি পণ্ডিতৰ বৰ খং উঠিল, আৰু তেওঁ লৰাটোৰ ফালে চাই কলে, "হেৰ, তোৰ বাপেৰৰ ঘৰৰ মুগাৰ চুৰিয়া মই পিন্ধি আহিছোঁ নে?" এই কথা শুনি দমি যোৱা দূৰত থাওক, কিয় কব নোৱাৰোঁ, লৰাবোৰে গিৰ্জনি মাৰি হাঁহি-বলৈ ধৰিলে। দুখৰ বিষয় সিহঁতৰ ভিতৰত এই লেখকো আছিল। পণ্ডিতে মোৰ পিতৃদেৱতাক বৰ সন্মান আৰু ভক্তি কৰিছিল, আৰু পিতৃদেৱ-তাইও তেওঁক পুত্ৰৱতে স্নেহ কৰিছিল; তাৰ মাই কাৰণ পণ্ডিত পিতৃদেৱতাৰ বন্ধু সুবিখ্যাত মিত্ৰধৰ অধ্যাপকৰ ছাত্ৰ আছিল। পণ্ডিতে আনবোৰক এৰি, মোৰ ফালে চাই বিৰক্তি প্ৰকাশ কৰি কলে— "তুমি সিংহৰ পোৱালি হৈ শৃগালৰ নিচিনা হলা কিয়?" মই সেই তিৰস্কাৰ শুনি লাজত তললৈ মূৰ কৰি ৰলোঁ আৰু সেই দিনাৰে পৰা আন আন দুষ্ট লৰাৰ লগ নলও বুলি মনতে সঙ্কল্প কৰিলোঁ।

বৰ আচৰিত কথা যে ইমানবোৰ শিক্ষকৰ তলত মোৰ বিদ্যা শিক্ষা ঘটিছিল, কিন্তু প্ৰকৃত শ্ৰদ্ধা, ভক্তি বা ভালপোৱাৰে এজনেও মোৰ মন আকৰ্ষণ কৰিব নোৱাৰিছিল। এইটো শিক্ষকসকলৰ গুণৰ ক্ৰটিৰ বাবতকৈও সেইকালৰ শিক্ষা-প্ৰণালীৰ দোষ বুলি ধৰিলেহে ঠিক হব হবলা। যি হওক,ইয়াৰ এটা ব্যতিক্ৰম ঘটিছিল, এমাহমানৰ নিমিত্তে। শ্ৰীযুত কেশৱনাথ ফুকনে (যি পিছত তেজপুৰত হেড্‌মাষ্টৰ হৈ সুখ্যাতিৰে কাম কৰিছিল) এমাহমানলৈ আমাৰ স্কুলত কাম কৰি আমাক পঢ়াইছিল। তেওঁৰ পঢ়োৱা প্ৰাঞ্জল প্ৰণালীয়ে আৰু মিষ্ট ব্যৱহাৰে আমাক তেওঁৰ প্ৰতি শ্ৰদ্ধাৱান কৰি তুলিছিল। দুখৰ বিষয়, তেওঁ স্কুলত সৰহ দিন নাথাকিল।

আমাৰ স্কুলৰ হেডকেও মাষ্টৰ আছিল বাবু বিষ্ণুচন্দ্ৰ চক্ৰবৰ্ত্তী। তেওঁ দীৰ্ঘকাল অসম-প্ৰবাসী বঙ্গালী। কিন্তু আশ্চ্যাৰ্য্যৰ বিষয় যে তেওঁ এষাৰো অসমীয়া কথা কব নাজানিছিল। তেওঁৰ তলত মই সৰহ দিন পঢ়া নাছিলোঁ, কাৰণ মই হেডকেও ক্লাছলৈ উঠাৰ অলপ দিনৰ পিছতে তেওঁ বদলি হৈ গল। তেওঁৰ সম্পৰ্কে মোৰ তিনিটা কথা মনত আছে।— তেওঁৰ গোফ্‌তাৰ সৰ্ব্বসাধাৰণ গোফতকৈ দীঘল। দ্বিতীয়টো, তেওঁ কথা কওঁতে খোনাই খোনাই কথা কৈছিল, আৰু প্ৰত্যেকষাৰ কথাত "অ কৰ্চ" "অ কৰ্চ" (of course) শব্দটোৰ পোহ ইমানকৈ দিছিল যে শিৱসাগৰ জিলাৰ বান্‌মুখ নামৰ গাৱঁৰ গাখীৰ বেচোঁতা মানুহে গাখীৰত পানী দি বেচিবলৈ অনা গাখীৰৰ দৰে তাত তিনি ভাগ "অ কৰ্চ" পানীৰ পোহ পৰিছিল। তৃতীয়টো, তেওঁ আনতকৈ বে ভালকৈ ইংৰাজী জানে, এইটো বুজাবলৈ দেশৰ

মানুহৰ ইংৰাজীত ভুল ধৰি দেখুৱাই আমাৰ আগত পেংলাই কৰিবলৈ ভাল পাইছিল। গণিত বিদ্যাৰে সৈতে কিন্তু বিষ্ণু বাবুৰ সতিনীৰ আঁহ আছিল, আৰু মনে মনে নিজেই সেই কথা জাহিৰ কৰি সুখ লভিছিল।

আমাৰ হেড্‌মাষ্টৰজনৰ নাম আছিল শ্ৰীশ্ৰীনাথ গুহ। আমাৰ দেশত জোৰাজোৰে শ্ৰী ব্যৱহাৰ কৰোঁতাসকলক কোনো সত্ৰৰ গোসাই বুলি মই জানিছিলোঁ। সেই দেখি এজোৰ শ্ৰীৰে গুহ বাবুৰ চহিৰ বঙ্গলা হস্তলিপি এখন এদিন দেখি, সকতে মই ভাবিছিলোঁ, যে আমাৰ হেডমাষ্টৰজনো বঙ্গদেশৰ কোনোবা এখন সত্ৰৰ গোসাঁই প্ৰভু বা অধিকাৰ পুৰুষ। অনেক দিনৰ মূৰতহে মোৰ এই বালক-সুলভ ভ্ৰম ভাগিছিল, আৰু জানিছিলোঁ যে শ্ৰীনাথৰ শ্ৰীটো নামটোৰেই অন্তৰ্গত। শ্ৰীনাথ গুহ গা-গাবিয়ে বৰ শকত-আবত মানুহ আছিল, আৰু তেওঁৰ বৰণটো একেবাৰেই কেতোৰা-কলা নহলেও দিব্য ক'লা আছিল। তেওঁৰ মাতৰ গুম্‌গুম্‌নিত শিৱসাগৰৰ ডাঙৰ স্কুলঘৰটোৱে দিনো থক্ থক্ কৰে কঁপি মোক কোৱা যেন শুনিছিলোঁ—"আৰু মই নোৱাৰোঁ। দেউতা ঐ! মোৰ কাণ ফাটি যাওঁ ফাটি যাওঁ কৰিছে!" এঘাৰ বজাৰপৰা চাৰি বজালৈকে তেওঁ তেওঁৰ ক্লাছ প্ৰথম শ্ৰেণীত পঢ়াবলৈ নবহি, স্কুলৰ সম্পৰ্কে লেখা-পঢ়াৰ কাম কৰিবলৈ থকা কাষৰ ঠাই এডোখৰত বহি desk work অৰ্থাৎ অফিচৰ কামত ব্যস্ত থাকিছিল, আৰু মাজে মাজে থাকি থাকি "silence!" অৰ্থাৎ "চুপ" বুলি এটা বুকু কঁপি যোৱা প্ৰকাণ্ড গোঁজৰণিৰ ফৰ্গ্‌টি গোটেইটো স্কুলৰ ছাত্ৰবৃন্দৰ উদ্দেশ্যে মাৰি পঠিয়াইছিল। মই বোধ কৰোঁ, ওপৰত কৈ অহা মাষ্টৰ হবলৈ কস্তেকীয়া ক্ষমতা পোৱা, প্ৰথম শ্ৰেণীৰ ছাত্ৰ মতিলাল ঘোষৰ সেই গোঁজৰণিও হেডমাষ্টৰীয়া গোঁজৰণিৰ হাস্যকৰ নকল মাথোন। যি হওক, শ্ৰীনাথ বাবুৰ "ছাইলেন্স্" নামৰ গোঁজৰণিৰ ধ্বনিত গোটেইটো স্কুলৰ ছাত্ৰ আৰু মাষ্টৰৰ মাত দুই-তিনি মিনিটলৈকে মুখৰপৰা পলাই ফাট মাৰিছিল। এই গোঁজৰণিৰ আচল মানে হৈছিল" "ছাত্ৰবৰ্গ! তহঁতে ভাবিছ হবলা যে তহঁতৰ হেডমাষ্টৰে নিজৰ কাম লৈয়ে ব্যস্ত আছে, তহঁতৰ ফালে তেওঁৰ চকু নাই? সেইটো নহয়; তেওঁ সজাগ।" এই অৰ্থটো তেওঁ আৰু সুস্পষ্ট কৰিছিল এইদৰে, কোনো ক্লাছৰ কোনো লৰাৰ ব্যৱহাৰত ক্ষুদ্ৰ ব্যতিক্ৰম কেতিয়াবা তেওঁৰ চকুত পৰিলে, তেওঁ তেওঁৰ সেই সুদূৰস্থিত চকিৰপৰা চেৰেকনি মাৰি "you! "you!" অৰ্থাৎ তই! তই! বুলি তাক তেওঁৰ ওচৰলৈ মাতি নি, সোধ-পোছ নাই, তাক "এই হাত!" "সেই হাত!" বুলি হাত পাতিবলৈ কৈ তাৰ হাতৰ তলুৱাত বেতেৰে কোব লগাই দিছিল। এনে বেত্ৰাঘাতৰ সুখ-ভোগ এই দুখীয়াৰ ভাগ্যতো এদিন ঘটিছিল। আমাৰ ক্লাছত মহীকান্ত নামেৰে দুষ্ট লৰা এটা আছিল। মোৰ দুৰ্ভাগ্যৰ নিমিত্তে এদিন সি মোৰ ওচৰত ঠাই অধিকাৰ কাৰ বহিলহি। মোৰ অমত আৰু আপত্তি অগ্ৰাহ্য কৰি, সি মোৰে সৈতে "পাঞ্জা লড়িবলৈ" অভিলাষ কৰি মোৰ হাতটো ধৰি টনা-আজোৰা লগাই দিলে। "পাঞ্জা-যুদ্ধৰ" এই উদ্যোগ পৰ্ব্বটো পৰিল হেডমাষ্টৰৰ চকুত আৰু যাওঁ কলৈ? প্ৰচণ্ড 'you! you!" নিনাদে স্কুলঘৰ কঁপাই দি তত্তালিকে যুদ্ধ স্থগিত কৰি পেলালে। উভতি চাওঁ যে হেড্‌মাষ্টৰ বাবুৱে অকল মোৰ ফাললৈহে সেই "ইউ" বজ্ৰ মাৰি পঠিয়াইছে। হৰি হৰি! ঘাই দোষী মহীকান্তৰ ফালে নহয়; সি সাৰিল! মই মতলীয়া মানুহৰ দৰে থৰক্-বৰক্ কৰে উঠি গৈ, তত্তালিকে হাতৰ তলুৱা পাতি দিলোঁ; আৰু তেখেতে তাত বেতৰ দুটি কোব বহুৱাই দি মোক আপ্যায়িত কৰি বিদায় দিলে। এনে অযথা বিচাৰ বা অবিচাৰ দেখি মনত ধিক্কাৰ লাগি, ক্লাছলৈ আহি, হিতোপদেশৰ এই শ্লোকটো মোৰ ছিলেট্‌খনত লেখিলোঁ।—"ন স্থাতব্যং ন গন্তব্যং দুৰ্জ্জনেন সমং ক্বচিৎ।" দুৰ্জ্জনৰ লগত থাকিলে বা গ'লে, গছৰ ডালত কাউৰীৰ লগত বহা হাঁহটোৰ দশা ঘটে।

শ্ৰীনাথ বাবুৰ এটা পুতেক আছিল, তাৰ নাম অতুল। সি হেড্‌মাষ্টৰৰ পুতেক, এই বাবেই observed of all observers অৰ্থাৎ গোটেই স্কুলৰ সসম্ৰম আৰু কুতুহলী চকুৰ বিষয় হৈছিল। অতুলেৰে সৈতে যি ছাত্ৰৰ বন্ধুতাৰ ডোলেৰে বান্ধ খাব পাৰিছিল, বা অতুলে যাৰে সৈতে হাঁহি মাতি কথা কৈছিল, সেই ছাত্ৰৰ ভাগ্যক আনবোৰ ছাত্ৰে ঈৰ্ষাৰ লোলুপ দৃষ্টিৰে চাইছিল।

দুইমান বজাত হেড্‌মাষ্টৰৰ ঘৰৰপৰা হেড্‌মাষ্টৰ আৰু পুতেক অতুললৈ জলপান আহিছিল। হেড্‌-মাষ্টৰে পুতেকৰে সৈতে স্কুল-ঘৰৰপৰা ওলাই গৈ বাহিৰৰ পিৰালিত থিয় দি সেই জলযোগ সমাপন কৰিছিল। সেই বয়সতে মই ভাবি নাপাইছিলোঁ, কিয় হেড্‌মাষ্টৰ বাবুৱে স্কুলঘৰৰ ভিতৰতে, তেওঁৰ অফিচৰ এচুকত এখন আঁৰ-কাপোৰ বা আন বকমৰ আঁৰ দি লৈ সেই ভোজৰ ব্যৱহাৰৰ ব্যৱস্থা কৰি নলৈছিল? এই প্ৰশ্ন মোৰ মনতে উঠি অনেক দিনলৈকে থাকি, "উৎপদ্যন্তে হৃদি লীয়ন্তে" হৈছিল।

শ্ৰীনাথ বাবুৰ তলত মোৰ পঢ়া নঘটিল। কাৰণ, মই প্ৰথম শ্ৰেণী পোৱাৰ আগতে শিৱসাগৰতে

তেওঁ তেওঁৰ বিপুল বপুটি পেলাই থৈ পলাল। মই পঢ়িবলৈ পাইছিলোঁ অসমত সুপ্ৰসিদ্ধ চন্দ্ৰমোহন গোস্বামী হেড্‌মাষ্টৰৰ তলত। সকলো বিষয়তে এনে প্ৰগাঢ় পণ্ডিত চন্দ্ৰমোহন গোস্বামীৰ নিচিনা কোনো লোকে অসমত হেড্‌মাষ্টৰী কৰা নাছিল। চন্দ্ৰত কলঙ্কৰ দৰে চন্দ্ৰমোহনৰ এটি কলঙ্ক আছিল, যে অতিৰিক্ত মদ্য পান। আচল চন্দ্ৰৰ দৰে চন্দ্ৰমোহনো মাহেকত দুই পক্ষ আছিল। তেওঁ মদ খাবলৈ আৰম্ভ কৰিলে ১৫ দিনমান একেৰাহে চলিছিল, আৰু তাৰ পিছত ১৫ দিনমান একেবাৰেই শুকান মাৰে-খৰ। তেওঁৰ নিৰামইীয়া কালডোখৰক মই শুক্লপক্ষ বুলিছিলোঁ, আৰু সিডোখৰক কৃষ্ণপক্ষ বুলিছিলোঁ। মেজাৰৰ কথা—এইটোহে যে, এই কৃষ্ণপক্ষতো তেওঁ একো একো দিন স্কুলত ভটং কৰে উদয় হৈছিলহি, আৰু ছাত্ৰবোৰে তেওঁৰ স্ফূৰ্ত্তিৰ গঢ়-গতি দেখি আমোদ উপভোগ কৰিছিল। এদিন মনত আছে তেওঁ তেওঁৰ কৃষ্ণপক্ষৰ ভিতৰতে খপহ কৰে স্কুলত ওলালহি ; লগতে বঙ্গলা স্কুলৰ হেড্‌পণ্ডিত বাবু প্ৰাণকৃষ্ণ কৰ। প্ৰাণকৃষ্ণ বাবু নিশ্চয় চন্দ্ৰমোহন বাবুৰ তদাৰক আৰু চন্তালক হৈ আহিছিল। কিন্তু আচৰিত কথা যে গোস্বামী ডাঙৰীয়াৰ পট্‌লুঙৰ ভিতৰত থকা চুৰিয়াৰ পোন্ধটোৱে পট্‌লুঙৰ ওপৰেদি ওলাই ওলমি আছিল, সেইটো গোস্বামী ডাঙৰীয়াক চন্তালক কৰ বাবুৰ প্ৰফুল্লিত নয়ননিকৰত নপৰিছিল, পৰাহেঁতেন তেওঁ সেইটোকো সেইদৰে নিৰাশ্ৰয় কৰি নেৰি গোস্বামী ডাঙৰীয়াৰ পট্‌লুঙৰ ভিতৰতে ৰক্ষা কৰিবৰ এটা দিহা কৰি দিলেহেঁতেন। গোসাঁয়ে প্ৰথম শ্ৰেণীৰ পৰা আৰম্ভ কৰি ষষ্ঠ শ্ৰেণীলৈকে পৰিভ্ৰমণ কৰি ছাত্ৰক কিতাপৰ পাঠৰ প্ৰশ্ন সুধি ফুৰিছে, আৰু প্ৰাণকৃষ্ণ বাবু লগে লগে ছাঁৰ দৰে ফুৰি সেই প্ৰশ্ন দোহাৰি (repeat কৰি) নবাক বুজাই দিছে ; অথচ এই গোটেইডোখৰ কালত বিদ্ৰোহী, জাতীয় (natural) চুৰিয়াৰ পোন্ধৰ অগ্ৰভাগে পতাকাৰ ৰূপ ধৰি বিৰাট বৃটিশ গৱৰ্ণমেণ্টৰ স্কুলৰ বিজাতীয় "ইউনিয়ন জেক্‌" পতাকাৰ "স্পিৰিট" বা আত্মাক অগ্ৰাহ্য আৰু সম্ভৱতঃ অমান্য কৰি উচ্চাৰণভাৱে উৰি ফুৰিছে, কিন্তু তাৰ ফালে কৰ বাবুৰ চকু নাই। দৃশ্যটো দেখি, গোটেইটো স্কুল ছাত্ৰৰ suppressed হাঁহিৰ অৰ্থাৎ হেঁচা মাৰি ধৰি থকা হাঁহিৰ হেঁচাত অধীৰ। কি হওক, ইয়াৰ পিছত স্কুলৰ ছেকেণ্ড মাষ্টৰ আৰু মোৰ সহপাঠী প্ৰথম শ্ৰেণীৰ ছাত্ৰ গোস্বামী ডাঙৰীয়াৰ পুতেকে গোস্বামীক ঘৰলৈ লৈ গৈ সেই দৃশ্যপট পৰিবৰ্ত্তন কৰি দিলে।

বিদ্যাৰ গৌৰৱত চন্দ্ৰমোহন গোস্বামী পূৰ্ণিমাৰ জোন যেন আছিল। তেওঁ আমাৰ অশেষ ভক্তি-শ্ৰদ্ধা আকৰ্ষণ কৰিছিল। কলেজত শিক্ষা শেষ কৰি সংসাৰত সোমাই বিষয়ী হৈও যেতিয়াই অসমলৈ গৈছোঁ বা যেতিয়াই কলিকতাত গোস্বামী ডাঙৰীয়াৰে সৈতে মোৰ দেখা হৈছে, তেতিয়াই তেওঁৰ ওচৰত মোৰ ভক্তিপূৰ্ণ মূৰ দোঁ খাইছে। তেওঁৰো পূৰণি ছাত্ৰ মোৰ প্ৰতি সদায় অশেষ স্নেহ থকাটোৰ নিদৰ্শন পাইছিলোঁ। "জোনাকী" আৰু "বাঁহী"ত ওলোৱা মোৰ প্ৰবন্ধবোৰ তেওঁ পঢ়ি আমোদ পাইছিল, আৰু সেইবোৰৰ বিষয়ে, মোৰে সৈতে দেখা হ'লে, মোৰ আগত মতামত প্ৰকাশ কৰিছিল। মোৰ বিয়াৰ কিছুমান দিনৰ পিছত তেওঁৰে সৈতে এবাৰ কলিকতাত মোৰ দেখা হৈছিল। তেওঁ in a fatherly way অৰ্থাৎ বাপেকে পুতেকক উপদেশ দিয়াৰ দৰে মোক কৈছিল—"ঠাকুৰবাড়ীত তুমি বিয়া কৰাই ভাল কৰিছা। মই বৰ সন্তোষ পাইছোঁ। তেওঁলোকৰ পৰিয়াল বঙ্গদেশত বৰ aristocratic (সম্ভ্ৰান্ত)। কিন্তু সেই বুলি তুমি তেওঁলোকৰ আগত এচুলমানো হীনতা অনুভৱ আৰু প্ৰকাশ নকৰিবাঁ ; কাৰণ এইটো মনত ৰাখিবা, যে তেওঁলোকৰ দেশত তেওঁলোক বংশ-গৌৰৱত যেনেকৈ ডাঙৰ, তোমাৰ দেশতো তুমি তেনেকুৱা।" মই অশ্ৰুগদ্‌গদ্‌ লোচনেৰে মূৰ দোঁৱাই, তেওঁৰ কথাৰ মৰ্য্যদানুভৱ কৰি appreciation জনালোঁ।

পঞ্চম অধ্যায়

শিৱসাগৰলৈ আহি মই শ্ৰীযুত গঙ্গাগোবিন্দ ফুকন ডাঙৰীয়াক (Mr.G.G. Phookan) দেখোঁ। তেওঁ তেতিয়া শিৱসাগৰত একষ্ট্ৰা এছিষ্টেণ্ট কমিশ্যনৰ। শিৱসাগৰৰ বৰ-পুখুৰীৰ পাৰৰ বঙলা এটাত তেওঁৰ থকা ঠাই আছিল। ফুকনৰ ঘৰৰ সৈতে আমাৰ ঘৰৰ বন্ধুতাৰ ঘনিষ্ঠতা, আৰু কুটুম্বিতা আছিল। মোৰ পিতৃদেৱতাৰ নাতিয়েক ৺পূৰ্ণানন্দ ছোট ছাহাবৰ ভায়েক, ফুকনৰ বাইদেৱেকৰ স্বামী আছিল। ইয়াৰ উপৰি আমাৰ বৰ ককাইদেউ ৺ব্ৰজনাথ বেজবৰুৱাৰে সৈতে ফুকনে সখি পতাইছিল, দুয়ো দুইকো ইংৰাজীত "নন্" (nun) বুলি মতা শুনিছিলোঁ। ফুকন ডাঙৰীয়াৰ চলা-ফুৰা থকা-মেলাৰ গঢ় য়ুৰোপীয়ৰ নিচিনা আছিল, কিন্তু সেই বুলিয়ে সকলো বিষয়তে তেওঁ য়ুৰোপীয়ৰ আহি লৈ চলিছিল, এনে নহয়। প্ৰায় দেখা যায় যে য়ুৰোপীয়সকলৰ ভিতৰত মদ্যপান প্ৰচলিত। হিন্দুৰ চকুত প্ৰধান দোষ 'পান-দোষ'ৰ তেওঁ বহিৰ্ভূত আছিল। এদিনলৈকে আমি তেওঁক চেলেউ এটা খোৱা বা আন প্ৰকাৰে ধপাত খোৱা, আন কি তামোল, এখনকে খোৱা দেখিছিলোঁ।

ফুকন ডাঙৰীয়াৰ গৌৰবৰ্ণ, সুগঠিত অঙ্গ-প্ৰত্যঙ্গ, সুদীৰ্ঘ সুঠাম আকৃতি আৰু ধীৰ গম্ভীৰ প্ৰকৃতিয়ে মোৰ মনত তেতিয়া এটি চিৰকলীয়া চাব মাৰিছিল। তেওঁ দেখিবলৈ যেনে সভা-শুৱনী পুৰুষ, কথাবাৰ্ত্তা আৰু বুদ্ধিতো তেনে প্ৰখৰ। বাস্তৱিকতে ফুকন ডাঙৰীয়া হেজাৰৰ ভিতৰত জিলিকা মানুহ। অসমীয়াৰ ভিতৰত ফুকনেই প্ৰথমতে নিজৰ সহধৰ্ম্মিণীক পাশ্চাত্য উচ্চ শিক্ষাত শিক্ষিত কৰিবৰ নিমিত্তে কলিকতালৈ পঠাইছিল। কিছুদিনৰ পিছত ফুকন শিৱসাগৰৰপৰা গোলাঘাটলৈ বদলি হয় আৰু বোধ কৰোঁ তাতে তেওঁ গবৰ্ণমেণ্টৰ চাকৰি এৰি আকৌ শিৱসাগৰলৈ উভতি আহি, "ফুকন-নগৰ" নামৰ ঠাইত বাস কৰিবলৈ ধৰে। গবৰ্ণমেণ্টৰ-চাকৰি পৰিত্যাগ কৰাৰ পিছত তেওঁ ৰাজনৈতিক আন্দোলন আৰু স্বাধীন ব্যৱসায়ত লাগে। ঈশ্বৰৰ কৃপাত ফুকন ডাঙৰীয়া আজিও জীয়াই থাকি শিৱ-সাগৰৰ মুখ পোহৰাই আছে। তেওঁৰ নিৰ্ম্মল চৰিত্ৰ আৰু মিতাচাৰেই (abstemious habit) এই দীৰ্ঘ জীৱনৰ গুৰি বুলি মোৰ মনত হয়। তেওঁৰ উদ্যমশক্তি (energy) ইমান বেছি যে, যোৱা বাছনিত তেওঁ অসমৰ আইন সভাৰ সভ্য হবলৈ আগ বাঢ়িছিল। গোটেই অসমৰ আৰু মাইকৈ শিৱসাগৰৰ মঙ্গলৰ অৰ্থে সকলো কাৰ্য্যতে ফুকন ডাঙৰীয়া সদায় অগ্ৰণী।

মোৰ পিতৃদেৱতাৰ দুজনা ভাৰ্য্যা আছিল। মোৰ মাতৃদেৱী সৰুজনা ভাৰ্য্যা। মাতৃদেৱীৰ বিষয়ে পিতৃদেৱতাই তেওঁৰ ৰচিত "বেজবৰুৱা বংশাৱলীত" লেখিছে,—

> দ্বিতীয় বিবাহ মোৰ দিবো পৰিচয় ॥
> অনন্ত কন্দলি যৰে যাৰ জন্ম ভৈল।
> তনু বৰপূজাৰি তাহাৰ নাম বৈল ॥
> পৰম বিশিষ্ট বিপ্ৰ গুণে অতিশয়।
> তাৰ সুতা ঠানেশ্বৰী বিবাহিলোঁ মই ॥

আমাৰ দুইজনা আইৰ ভিতৰত অতি মধুৰ ব্যৱহাৰ আছিল। বৰজনাই সৰুজনাক নিজৰ ভনীয়েকৰ নিচিনা যেন দেখিছিল, আৰু সৰুজনাইও বৰজনাক আপোনাৰ বায়েকৰ নিচিনাকৈ সেৱা-ভক্তি কৰিছিল। সতিনীৰ মাঁহত ওপজা স্বাভাৱিক হিংসা-দ্বেষ দুজনাৰ ভিতৰত কেতিয়াও দেখা মোৰ মনত নপৰে। মই শিৱসাগৰলৈ অহাৰ পৰা বাস্তৱিকতে মোক মোৰ নিজৰ আইতকৈ বৰজনা আয়েহে বেছি যতনেৰে তুলিছিল। সৰুতোখৰত মই তেওঁৰ লগত খাইছিলোঁ, তেওঁৰ লগত শুইছিলোঁ, আৰু তেওঁৰ অনুষ্ঠিত সকলো পুণ্যকাৰ্য্যত উৎসাহেৰে যোগদান কৰিছিলোঁ। মাঘমহীয়া গোটেইটো মাহত মই ভোক্‌মোকালিতে উঠি তেওঁৰে সৈতে দিখৌত প্ৰাতঃস্নান কৰিবলৈ গৈছিলোঁ, কাতিমহীয়া তুলসীৰ ভেঁটি মচি তুলসীৰ তলত চাকি আৰু 'আকাশ-বাতি' দিছিলোঁ।

আমাৰ ঘৰত ৰাতি অনেক পলমকৈ ভাত খোৱা দস্তুৰ আছিল। আনি সৰুবোৰে এঘুমটি দিয়াৰ পিছতহে আমাক ভাত খাবলৈ জগাই তুলি অনা হৈছিল। এদিন মোৰ আয়ে মোক তুলি আনি ভাতৰ পাতত বহুৱাই দিলে ; কিন্তু তেতিয়ালৈকে মোৰ চকু মেল খোৱা নাছিল। আয়ে "খা" "খা" কৈ মোক কৈ আছে, মই ভাতৰ কাঁহীৰ ওপৰত বাচ্ছয়াকৈ চেঙেলি টোপাই আছোঁ। তেওঁৰ আমনি লাগি উঠিল খং। মোৰ গলধনটোত ধৰি তেওঁ মোক ভাতৰ পাতত হেঁচা মাৰি ধৰিলে। ওচৰতে এচৰিয়া পানীৰে সৈতে এটা মুখ-ধোৱা চৰিয়া আছিল, হেঁচাত মই ভাতৰ কাঁহীত নপৰি, পৰিলোঁ মুখ-জোৰোৱা খাই চৰিয়াৰ পানীত—পুহমহীয়া জাৰৰ ৰাতি। মোৰ দুৰ্দ্দশা দেখি বৰজনা আই লৰি আহি মোৰ আইক তেনে কাৰ্য্যৰ বাবে নথৈ ৰুৰ্ৰ্ভৰ্ৎসনা কৰি মোক আতৌ-পুতৌ কৰি তুলি নি তপত পানীৰে ভালকৈ গা-পা ধুৱাই গা মচি দি, চুৰিয়া পিন্ধাই আনি তেওঁৰ লগত ভাত খাবলৈ বহুৱালে ; আৰু মোৰ আইক টান হুকুম দিলে,—সেইদিনাৰপৰা যেন তেওঁ মোক ভাত খাবলৈ তুলি নানে ; বৰ আয়ে নিজে বা তেওঁৰ দুজনী বোৱাৰীয়েকৰ এজনীয়েহে আনিব।

বৰ ককাইদেও ৺ব্ৰজনাথ আৰু মাজু ককাইদেও জগন্নাথ, এই দুজনৰ ঘৈণীয়েক দুজনাই মাখোন তেতিয়া আমাৰ ঘৰত বোৱাৰী। দুয়ো আকৃতিত যেনে শুৱনী প্ৰকৃতিতো তেনে আছিল। দুয়ো মোক নথৈ মৰম কৰিছিল ; ময়ো তেওঁলোকক নথৈ ভাল পাইছিলোঁ। বৰবোৰ পিতাক জোকৃতলিৰ মৌজাদাৰ আছিল। শৰাধ-বিধি বা আন কাম-কাজৰ সময়ত তেওঁ বাপেকৰ ঘৰলৈ গলে আমাকো পিছত মাতি নৈ গৈ এনে আদৰ-সাদৰকৈ খুৱাই-বুৱাই পঠিয়াইছিল যে সেই সুমধুৰ স্মৃতি এই জীৱন-স্মৃতি-লেখকৰ স্মৃতিৰ ভিতৰত স্থায়ী হৈ আছে। বৰবো সৰু-বোতকৈ বয়সত অনেক সৰু আছিল, কাৰণ তেওঁ বৰ ককাইদেওৰ প্ৰথমা স্ত্ৰী-বিয়োগৰ পাছত বিয়া কৰোৱা দ্বিতীয়া স্ত্ৰী। সেই দেখি বৰবোৱে সৰুবোক নিজৰ জা-সম্পৰ্কতকৈও বায়েক-সম্পৰ্কৰ চকুৰে দেখি সন্মান কৰিছিল। মুঠতে দুয়োজনী জাকৰ ভিতৰত মিলা-প্ৰীতিৰ দৃশ্য অতি মনোৰম আছিল ; দুয়ো অলপ অলপীয়া লেখা-পঢ়া জানিছিল। সৰু বোৱে কাশীৰাম দাসৰ বঙলা ছপা-মহাভাৰতৰ কোনো এটা সৰু পৰ্ব পঢ়িব পাৰিছিল, কিন্তু লেখিব নাজানিছিল বা আইন কিতাপো পঢ়িব নাজানিছিল।

কোনো বিশেষ এটা পৰ্ব্ব বোলাৰ মানে আছে। তেওঁ আনৰ ওচৰত শুনিয়েই হওক বা শিকিয়েই হওক, সেই পৰ্ব্বতো তেওঁৰ একৰকম মুখস্থ হৈ পৰিছিল ; সেই দেখি তাৰ প্ৰত্যেক শাৰীৰ প্ৰথম দুটা-এটা আখৰ দেখিলেই বাকীডোখৰ তেওঁ আখৰৰ ফালে ভালকৈ নোচোৱাকৈয়ে মাতিব পাৰিছিল ; আৰু সেই পৰ্ব্বৰ বাজ হৈ পৰিলেই তেওঁৰ বিদ্যাৰ ওৰ পৰিছিল। ৰবৰোৱে চিঠি লেখিব পাৰিছিল। মোৰ মনত আছে—বৰ ককাইদেও ডিবুৰু বা গুৱাহাটীৰ নিচিনা ঠাইলৈ গ'লে ৰবৰোৱে অতি সংগোপনে তেওঁলৈ চিঠি লেখিছিল ; কাৰণ তিৰুতাই আৰু মাইকে ঘৰৰ বোৱাৰী-জীয়ৰীয়ে চিঠি লেখাটো (নিজৰ স্বামী হলেও) সেই সময়ত অকৰণীয় অকাৰ্য্যৰ ভিতৰুৱা বুলি বিবেচিত হৈছিল ; সেই দেখি ৰবৰোৱে অতি সংগোপনে তেওঁৰ চিঠি লেখি তাক মোৰ হতুৱাই শুধৰাই চলিব পৰা কৰি, মোৰ হতুৱায়েই অতি গুপুতভাৱে ডাকত দিয়াইছিল। তেতিয়া মোৰ বিদ্যাই বা কিমান, বুদ্ধিয়েই বা কিমান। তথাপি ৰবৰোৱে মোক ৰবটো পাতি বিদ্যাৰম্ভ ভাবি নিজৰ চিঠি কটাইকুটাই নিৰ্দ্দোষ কৰি লোৱা বাবে মই নিজক গৌৰৱান্বিত বিবেচনা কৰিছিলোঁ। কিন্তু প্ৰকৃততে মোক বিদ্যাৰ ৰবপুখুৰী ভৰাতকৈ আন এটা কাৰণতহে ৰবৰোৱে তেনে কৰিছিল। ময়েই ঘৰত সৰু ল'ৰা ; মোৰ বাহিৰে মোতকৈ জনা-শুনা ডাঙৰ এজনৰ হাতত তেওঁৰ সেই প্ৰেম-পত্ৰ সঁপি দিয়াটো তেওঁৰ পক্ষে অসম্ভৱ আছিল। বুদ্ধিৰ ঢেঁকী-ঠোৰা মই কিন্তু তেওঁৰ প্ৰথমখন চিঠি ডাকত দিওঁতেই লগালোঁ জেঙা। চিঠিখন চেলেঙৰ তলত ভৰাই লৈ মই ডাকঘৰ পালোঁগৈ ; কিন্তু ক'ত চিঠিখন পেলাব লাগে নাজানি, ডাক-ঘৰৰ সমুখতে পৰি থকা ভগা পেৰা এটাৰ ভিতৰত দিলোঁ সুমাই। ওচৰতে এটা মানুহ আছিল, সি কলে, "সেইখন চিঠি ডাকত দিবলৈ আনি তাত সুমাই দিলা কিয় ? ডাকত এইপিনে ইয়াতহে দিব লাগে।" মোৰ ভুল বুজিব পাৰি মোৰ মুখ শুকাই গ'ল। সেই ভগা পেৰাটোৰ যি সুৰুঙাইদি চিঠিখন সুমাই দিছিলোঁ সেই সুৰুঙাত হাত নোসোমায়। মই মোৰ বিপদৰ কথা "পোষ্ট-মাষ্টৰ" বাবুক কলত, তেওঁ মোৰ মুখৰ ফালে অলপমান চাই থাকি দয়াপৰৱশ হৈ উঠি আহি বাকচটোৰ ভগাডোখৰ আৰু ভাঙি বহলাই লৈ চিঠিখন উলিয়াই আনি, মোৰ হাতত দি ক'ত দিব লাগে দেখুৱাই দিলত, মই তাতে দি নিশ্চিন্ত মনেৰে ঘৰলৈ উভতি আহিলোঁ। মই শিৱসাগৰত থাকোঁতেই এইজনা ৰৌৰ মৃত্যু হ'ল। তেওঁ এটি ল'ৰা থৈ গৈছিল, সিও এঘাৰ কি বাৰ বছৰ বয়সত ঢুকাল।

সিংদুৱাৰ নামেৰে এখন নিজৰ "গ্ৰাণ্ট" দেউতাই লৈছিল। অসম ৰজাৰ ৰাজধানীৰ গড়ৰ সেইখিনিতে সিংহদুৱাৰ আছিল দেখি তাক সিংদুৱাৰ বুলিছিল। তাত বাঁহ-কাঠ অপৰ্য্যাপ্ত ; কিন্তু তাৰ মাটি চাহখেতিৰ নিমিত্তে উপযোগী নহয়। বৰ ককাইদেৱে তাতে চাহখেতি কৰি তাক চাহ-বাগিচাত পৰিণত কৰিবলৈ বিচাৰিছিল আৰু কিছু দূৰ কৃতকাৰ্য্যও হৈছিল। তেওঁ প্ৰায় দিনৌ দুপৰীয়া ঘৰৰপৰা খোজ কাঢ়ি বাগিচালৈ গৈছিল, আৰু গধূলি সেইদৰে খোজ কাঢ়ি আহিছিল। ঘৰৰ পৰা বাগিচা প্ৰায় তিনি মাইলমান দূৰত, তেওঁ উভতি আহোঁতে ডাঙৰীয়া শ্ৰীযুত গঙ্গাগোবিন্দ ফুকনৰ ঘৰত সোমাই মেল পাতি অহাটো তেওঁৰ নিত্যকৰ্ম্মৰ নিচিনা হৈছিল। ফলত, সেই দেখি দিনৌ ঘৰ পাওঁতে ৰাতি দুপৰ হৈছিল। তেওঁ নহালৈকে তেওঁৰ ঘৈণীয়েক, বোৱাৰীয়েক আৰু আই দুজনে ভাত নাখাই তেওঁলৈ খাপ লৈ বহি থকা দৃশ্যটো অতি কষ্টকৰ হৈ পৰিছিল। দেউতাই আৰু আই-সকলে তেওঁক কৈ কৈ নিজৰ কষ্ট জনায়ো তেওঁৰ এই বেয়া অভ্যাসটো এৰুৱাব নোৱাৰিছিল।

দেউতাই ঘোৰাত উঠিবলৈ বৰ ভাল পাইছিল। সদায় দেউতাৰ ঘোৰাশালত ভূটীয়া-ঘোৰা এটা বন্ধা থাকিছিল। বাস্তৱিকতে দেউতা এজন পকা 'ঘোৰ-চোৱাৰ' আছিল। ঘোৰাত উঠি দেউতাইও দুদিন-এদিনৰ অন্তৰত সিংদুৱাৰ বাগিচালৈ কাম চাবলৈ গৈছিল। এদিন বাটতে ঘোৰাৰ পৰা পৰি তেওঁৰ ভৰি এটা ভগাৰ নিচিনা হ'ল। সেইদিনাৰপৰা সকলোৱে কৈ মেলি তেওঁক এই বুঢ়া বয়সত ঘোৰাত উঠা এৰুৱালে। দেউতাৰ পুৰণি ধৰণৰ ডাঙৰ বাগী এখনো আছিল ; কিন্তু সি সদায় অব্যৱহাৰ্য্য অৱস্থাত পৰি আছিল। সেই বাগীৰ এটা ইতিহাস এইখিনিতে কওঁ। দেউতা তেজপুৰত মুনচেফ্ হৈ থাকোঁতে এদিন ৺ৰামদয়াল নামেৰে এজন অসমীয়া ডাক্তৰে দেউতাৰ ঘোৰা-গাড়ী খুজি লৈ "হাৱা খাবলৈ" গৈ গাড়ী ঘোৰা একেবাৰেই ব্ৰহ্মপুত্ৰত পেলাই দিলে। ঘোৰাটো মৰিল, ডাক্তৰে পানীত পৰাৰ আগতে জাপ মাৰি ভৰিৰ এৰকলা ছাল গাড়ীতে থৈ কোনো-মতে ৰক্ষা পৰিল। গাড়ীখন ধৰালি ব্ৰহ্মপুত্ৰৰ বালি খানিহে উলিয়াই অনা হৈছিল। তেতিয়াৰে পৰা সেই গাড়ীখন আৰু 'মেৰামত' হোৱা নাছিল।

পিতৃদেৱতাৰ চাৰিজনী জীয়েক। সৰুজনী জীয়েক স্বামীৰ ঘৰলৈ যোৱাৰ আগতে বিধৱা হৈ আমাৰ ঘৰতে আছিল। মাজুজনা এটি নবাৰ মাক হোৱাৰ পিচত বিধৱা হয়। জোঁৱাই-বিষয়ত যে দেউতাৰ ভাগ্য ভাল আছিল, এনে মনে নধৰে। জীয়াই থকা দুজনৰ পৰাও যে দেউতাই অনাবিল সুখ ভোগ কৰিছিল, এনে বুলিব নোৱাৰোঁ। জীয়ৰীক জোঁৱায়েকৰ ঘৰলৈ উলিয়াই দিবৰ দিনৰে পৰা

জীয়ৰীয়ে বাপেকৰ ঘৰত ভাত বা সান্দহ-চিৰা-পিঠা খোৱা বন্ধ ; কাৰণ জোঁৱায়েকহঁতৰ ভয়, পাছে তেওঁলোকে বিয়া কৰাই শুচি কৰি লোৱা নিজৰ সহ-ধৰ্ম্মিণীয়ে বাপেক-মাকৰ ঘৰত পকা-জলপান বা ভাত ভোজন কৰি আকৌ স্বকীয় দেহা অশুচি কৰি তেওঁলোককো টানি আনি পাতকৰ পাট-নাদত পেলাই দিয়ে। এনে দস্তুৰ অকল আমাৰ ঘৰতেহে আমাৰ ঘৰৰ জোঁৱাইসকলে চলাইছিল, এনে বুলি ভাবিলে ভুল কৰা হব ; অসমত, যাইকৈ উজনি-অসমত এনে কুলক্ষণীয়া প্ৰথা প্ৰায়বোৰ ভদ্ৰলোকৰ ঘৰত প্ৰচলিত আছিল। ক'ৰপৰা এনে বৰ্ব্বৰতা অসমত সোঁমাইছিলহি কব নোৱাৰোঁ। আশা কৰোঁ আজি-কালি শিক্ষিত অসমীয়াসকলে এই বৰ্বৰতাৰ খৰ্ব্বতা সাধন কৰি, তাক খেদি নি দেশৰপৰা উলিয়াই দি হাদিবা-চকিত এৰে।

মোৰ তৃতীয়জন ককাইদেউ গোলাঘাটৰ গুড়-যোগনীয়া মৌজাৰ মৌজাদাৰ আছিল। এইখিনিতে কোৱা যাওক, যে সেই কালত ওকালতি কৰা ব্যৱসায়টো বৰ সন্মানজনক বিবেচিত নহৈছিল। তেতিয়া উকীল হবলৈ 'প্লিডৰশ্বিপ্' বা বি. এল. পৰীক্ষা "পাছ" কৰিবলগীয়া হোৱা নাছিল। হাকিমে কাকো উকীল হবলৈ হুকুম দি কাছাৰীৰ কিতাপত নাম লেখাই দিলেই তেওঁ উকীল হৈ ওকালতি কৰিব পাৰিছিল। এইদৰে নাম লেখাই দি দেউতাই কত লোকক উকীল পাতি দিলে, কিন্তু সেই ব্যৱসায় নিজৰ পুতেকৰ অনুপযুক্ত বুলি ভাবি এটি পুতেককো উকীল নকৰিলে। তেওঁৰ পুতেকসকলৰ ভিতৰত সেইদেখি কোনো কেৰাণী, কোনো স্কুল-মাষ্টৰ, আৰু কোনো মৌজাদাৰ।

গোলাঘাটৰ ফালৰে ন গোঁসাইৰ ঘৰত তৃতীয়জন ককাইদেওৰ বিয়াৰ সম্বন্ধ ঠিক হয়। মাষমহীয়া আমি ঘৰে-ঘৰোৱাহে সেই বিয়ালৈ যাবলৈ উদ্যোগ কৰিছোঁহক, এনেতে মেঘ-দেৱতা বাম হল। এজাক বৰষুণ হল। সেই বৰষুণ হেনো অকাল-বৃষ্টি ; গতিকে অমঙ্গলীয়া। বিয়াৰ দিন সেই বাবে হুঁহকি গল। অকাল-বৃষ্টিৰ দুৰ্দ্দিনৰ দোষ এবাই হোঁহকা দিনত আমি নাৱেৰে গৈ বিয়াৰ কাৰ্য্যক্ষেত্ৰত উপস্থিত হলোঁহঁক। শিৱসাগৰৰপৰা যাত্ৰা কৰিবৰ আগতে আমাৰ ৰৱজনা আইৰ বৰ ইচ্ছা হল যে তেওঁৰ জীয়েকৰ ৰবপুতেকক (১৩।১৪ বছৰীয়া লৰা) বিয়ালৈ লগত লৈ যায়। তেওঁৰ ইচ্ছাৰ কথা জোঁৱা-য়েকলৈ কৈ পঠিয়ালত জোঁৱায়েকে পিতৃদেৱতালৈ চিঠি লেখিলে যে তেওঁ তেওঁৰ পুতেকক বিয়ালৈ যাবলৈ দিব পাৰে,—যদি তাক ককাক-বুঢ়ীমাকৰ ঘৰত প্ৰস্তুত "সিদ্ধান্ন-পাকান্ন" নুখুৱায় বুলি দেউতাই অঙ্গীকাৰ-পত্ৰ লেখি দিয়ে। জোঁৱায়েকৰ এই অদ্ভুত চিঠিৰ কথা শুনি ৰৱজনা আই খঙত ঘৃতাহুতি হল, আৰু দেউতাই চিঠিৰ উত্তৰ নিদি মনে মনে থাকিল। দৈৱদুৰ্ব্বিপাকত আকৌ এজাক অকাল-বৃষ্টি হৈ আকৌ বিয়াৰ প্ৰতিবন্ধকতা জন্মালে। তাতে কিছুদিন থাকি আকৌ বিয়া হোঁহোকাই দুৰ্ব্বিপাকৰ দোষৰ হাত এৰাই সেই বিয়া সম্পাদন কৰি ঘৰলৈ প্ৰত্যাবৰ্ত্তন কৰা হল। ওপৰত উল্লেখ কৰা প্ৰতিবন্ধকতাই নিশ্চয় ভবিষ্যতৰ গৰ্ভত থকা অমঙ্গলৰ সঙ্কেত দিছিল। বিয়াৰ কিছুদিনৰ পিছতে সেই ককাইদেওজন কাছৰ নৰিয়াত পৰি শিৱসাগৰলৈ আহিল। দেউতাই অশেষ চেষ্টা আৰু পৰিশ্ৰম কৰি অনেক নতুন নতুন ঔষধ পুথি চাই উলিয়াই নিজে কৰি খুৱাই চিকিৎসা কৰিও পুতেকক ৰক্ষা কৰিব নোৱাৰিলে। তেওঁৰ বৈণীয়েকো স্বামীৰ মুখ নেদেখাকৈ বাঁৰী হল। বিয়াৰ দিনা কন্যাৰ ককায়েক নে কি কব নোৱাৰোঁ—ন গোসাঁই প্ৰভুৰ প্ৰতিমূৰ্ত্তিটো আৰু তেওঁৰ ব্যৱহাৰ অতিকৈ চকুত পৰা হৈছিল। বিয়াৰ সভাত তেওঁ এটা কাঠৰ মূঢ়াৰ দৰে বহি আছিল ; আৰু পাছে, আমাৰ নিচিনা সাধাৰণ মানুহেৰে সৈতে কথা-বাৰ্ত্তা পাতি আমাক (হলোঁৱেই বা দৰাঘৰীয়া) আদৰ-অভ্যৰ্থনা কৰিলে, কেনেবাকৈ তেওঁলোকৰ গোসাঁই-প্ৰভুৰা দীঘল ভেমটোৰ এডোখৰ চুটি হৈ পৰিব—এই ভয়তে তেওঁ সশঙ্কিত হৈ আছিল। এওঁলোকতো পুৰণি সম্ভ্ৰমৰ দাবী কৰিব পৰা ন গোসাঁয়েই ;—অসমত কেঁচামৰীয়া গোসাঁইৰেপৰা আৰম্ভ কৰি খৰিকটীয়া গোসাঁইলৈকে গোসাঁই-নামধাৰী প্ৰাণী-সকলে সাধাৰণ ভদ্ৰলোকৰ ঘৰলৈ ছোৱালী দিবলৈ ওলায়, অথচ বিয়াৰ সময়ত আঁকোৱালে নোপোৱা ভেমৰ খুটাত আউজি থাকি কি যে কৰে তাক কি কৰা। এবাৰ মনত আছে—এজন শিৱসাগৰৰ ভদ্ৰলোকৰ বিয়াত নিমন্ত্ৰিত হৈ মই দৰাঘৰীয়াৰে সৈতে বিয়ালৈ গৈছিলোঁ। আমি, কন্যাঘৰীয়া গোসাঁইৰ পদূলিমুখ পাওঁতেই গোসাঁইৰ ঘৰৰপৰা আদেশ আহিল যে আমি আমাৰ ভৰিৰ জোতা-মোজা সোলোকাই পদব্ৰজে গৈহে তেওঁৰ চাৰি চাপৰ ভিতৰ সোমাব পাৰিম। আমিও জোতা-মোজা নোসোলোকাওঁ, তেওঁলোকেও নেৰে। শেহত দৰাঘৰীয়া আৰু কন্যাঘৰীয়াৰ ভিতৰত হস্তাহস্তি হোৱাৰ উপক্ৰম। অনেক কষ্টৰ আৰু অনেক কথাৰ আঁজোৰ-পিজোৰৰ পিছতহে এটা হেন্ত-নেন্ত হৈ এই গজ-কচ্ছপীয়া যুঁজৰ ওৰ পৰে। তেনেই অসমীয়াখনক খালে। অযথা যুক্তি ব্যৱস্থা নকৰা আৰু সমাজৰ সৌতৰ বিপৰীতে যাবৰ প্ৰয়াসেই আমাৰ গোসাঁইসকল আউজি থকা ঘৰখুটাবোৰ হেলেকুলেক্ কৰি পেলাইছে।

স্বামীৰ মুখ নেদেখাকৈয়ে আমাৰ, বিজনা বাইদেও

বাঁধী হৈছিল, তেওঁৰ নাম পিয়ালী। মই শিৱসাগৰলৈ অহাৰ দুই-তিনি বছৰৰ পিছতে মৃত্যু হল। তেওঁ মোৰ চকুত এটি বিষাদৰ প্ৰতিমূৰ্ত্তি আছিল। চকুত এলাগতীয়াভাৱে পৰি থকা নিৰ্জ্জু আৰু সুমধুৰভাষী এই প্ৰাণীটিৰ হৃদয়ত শোক আৰু নিষ্ফলতাৰ কি তুঁহ-জুয়ে তেওঁক একেবাৰেই পুৰি ছাই কৰিছিল, তাক অন্তৰ্য্যামী ঈশ্বৰেহে জানিছিল। কঠোৰ নিৰ্ম্মম শাসনেৰে শাসিত হিন্দু সমাজৰ কেইজনে এই কথা দকৈ ভাবি তাৰ প্ৰতিকাৰ কৰিবলৈ অগ্ৰসৰ হয়? বঙ্গদেশৰ দয়াৰ সাগৰ বিদ্যাসাগৰৰ বাহিৰে আৰু কেইজন? পিয়ালী বাইদেওৰ মৃত্যুৰ চিত্ৰটো এতিয়াও মোৰ মনত আছে। যিদিনা তেওঁৰ মৃত্যু হব, সেইদিনা ৰাতি তিনিমান বজাত, তেওঁ গাই পতি সকলোকে নাম আৰু সম্বন্ধ ধৰি মাতি—বন্দী-বেটী লগুৱা-লিগিৰীবোৰলৈকে সকলোকে,—স্বকৃত দায়-দোষ ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছিল। মই সৰু নবা, শুই আছিলোঁ। মোকো টোপনিৰ পৰা জগাই তোলাই মতাই অনাই মোৰ ওচৰতো তেওঁ ক্ষমা মাগিবলৈ নেপাহৰিছিল। মই নিৰ্ব্বাক-নিষ্পন্দভাৱে, তেওঁৰ কথা শুনি উচুপি উচুপি কান্দিবলৈ ধৰিলোঁ। মোৰ ভাই এটা তেতিয়া কেঁচুৱা। তাৰ নাম কাঢ়ি তেওঁ কলে—"মই তাৰে সৈতে ধেমালি কৰিবলৈ নাপালোঁ।" এই কথাৰ দহ মিনিটমানৰ পিছতে, তেওঁ ঈশ্বৰৰ নাম লৈ, মাকৰ কোলাত মূৰটি থৈ, ইহ-সংসাৰ পৰিত্যাগ কৰিলে। কান্দোনৰ কোঢ়ালেৰে ঘৰ ভৰি পৰিল।

আগেয়ে কৈছোঁ, আকৌ কওঁ যে পিতৃদেৱতাৰ হৃদয় কুসুম-কোমল আৰু আত্মীয়সকলৰ প্ৰতি স্নেহ-মমতাৰে ভৰা আছিল। তেওঁৰ পৰিবাৰৰ কোনো এজনে যদি কোনো কাৰণত—ৰোহ পাতিয়েই হওক, বা এলাহ কৰিয়েই হওক,—ৰাতি ভাত নোখোৱাকৈ থাকে তেন্তে, তেওঁ নিজে গৈ মাতি মাতি সেইজনক ভাত খুৱাইহে এৰিছিল, নতুবা তেওঁ তেওঁৰ মনত শান্তি নাপাইছিল। নিজৰ নিজৰ বংশৰ দুখীয়াই হওক বা চহকীয়েই হওক, কাকো তেওঁ পালে মমতাৰ ডোলেৰে নাবান্ধি নেৰিছিল। কিন্তু আন পিনে তেওঁৰ নিচিনা দৃঢ়চিত্ত আৰু ধৈৰ্য্যশীল মানুহ মই আজিলৈকে দেখা নাই বুলিলে বঢ়াই কোৱা নহয়। কোনো সজ কাম তেওঁ কৰিব বুলি সঙ্কল্প কৰিলে, তেহেলৈ যি হয়, কৰিবই কৰিব। সজ কাম বুলিছোঁ এই বাবে, যে কোনো কাৰ্য্য যদি কাৰো অপকাৰী হয়, সেই কথা তেওঁক বুজাই দিব পাৰিলে তৎক্ষণাৎ তেওঁ তাক পৰিত্যাগ কৰিছিল। তেওঁৰ মূৰৰ ওপৰেদি অনেক ডাঙৰ ডাঙৰ বিপদ গৈছিল; কিন্তু কেতিয়াও তেওঁক 'nervous' অৰ্থাৎ অস্থিৰ আৰু অধৈৰ্য্যশীল হোৱা নেদেখিছিলোঁ। বিপদ বিয়ানেই ডাঙৰ হওঁক তেওঁ অচল অটল হিমাচল। ঈশ্বৰৰ বিধানত সুদৃঢ় বিশ্বাস আৰু ঈশ্বৰত সম্পূৰ্ণৰূপে আত্মসমৰ্পণেই (resignation) ইয়াৰ মূল কাৰণ। তেওঁৰ চকুত আনন্দাশ্ৰু, ভক্তি-বিগলিত প্ৰেমাশ্ৰু মই দেখিছিলোঁ, কিন্তু ন দি কব পাৰোঁ, যে শোকাশ্ৰু কেতিয়াও দেখা নাছিলোঁ। মৃত্যুৰ আগতে তেওঁৰ পুতেক গোপালক বাহিৰলৈ আনি তুলসীৰ তলত থোৱা হল। ঘৰে ঘৰোৱাহে কান্দি কান্দি আকুল; কিন্তু দেউতাৰ চকুত এটোপা পানী নাই; তেওঁ মৃত্যুশয্যাশায়ী পুতেকৰ মৃত্যু-মঙ্গলৰ অৰ্থে যি যি আয়োজন কৰিব লাগে, ধীৰভাৱে কৰি আছে। সেই মৃত্যু-মঙ্গলৰ ব্যাঘাতৰ ভয়ত, তেওঁ সকলোকে ডাবি দি নকন্দা কৰি, পুতেকৰ মূৰ-শিতানৰ ফালে বহি ধীৰ-স্থিৰ-গম্ভীৰভাৱে, উচৈচস্বৰে "ওঁ ৰামঃ।" "ওঁ ৰামঃ।" এই মহামন্ত্ৰ সোঁৱৰাবলৈ ধৰিলে। চাৰিওফালৰ সকলো মানুহ কাঁহ-পৰি-জীণ গল। "সমস্ত শাস্ত্ৰৰ, সমস্ত মন্ত্ৰৰ মূল বীজ" এই 'ৰাম' নাম তেওঁ আধা ঘণ্টাৰো বেছি সময় পুতেকক সোঁৱৰাওঁতে, সোঁৱৰাওঁতে, মৃত্যুৰ মুখত পৰি থকা পুতেকে এবাৰ স্পষ্টকৈ "ৰাম" বুলিলে। পিতৃদেৱতাৰ মুখ আনন্দত প্ৰফুল্ল হৈ উঠিল। বেঢ়ি থকা সকলোৱে উচৈচস্বৰে 'ৰাম' নাম ধ্বনি কৰিলে। ক্ষন্তেকতে মৃত্যুশয্যা-শায়ীজনৰ প্ৰাণ পাখিৰ জড় দেহৰপৰা ওলাই চিৰানন্দ-ধামলৈ গতি কৰিলে। দশকসকলৰ ভিতৰত শিৱসাগৰৰ এজন বৃদ্ধ ভদ্ৰলোক আছিল। তেওঁ আকাশলৈ চাই হাত জোৰকৈ প্ৰাথনা কৰিলে, "হে ঈশ্বৰ! ডাঙৰীয়া দীননাথ বেজবৰুৱা থাকোতেই, তেওঁৰ আগতে যেন মই মৰিবলৈ পাওঁ!"

পুতেক গোপাল আৰু জীয়েক পিয়ালীৰ মৃত্যুত আমাৰ বৰজনা আয়ে অন্তৰত নথৈ আঘাত পাইছিল। তেওঁ আৰু বেছি দিন নিজীলে। জীয়েকৰ ছমহীয়া শৰাধলৈ তেওঁ নিজ হাতে বয়-বস্তুৰ যো-জা কৰিছিল; আৰু সেই দিনাই হঠাৎ অতিসাৰ ৰোগত পৰি প্ৰাণ পৰিত্যাগ কৰিলে। সেইদিনাও পিতৃদেৱতাৰ "নিবাত-নিষ্কম্প তৰুৰ" নিচিনা ধীৰ আৰু প্ৰশান্ত মূৰ্ত্তি দেখি আমি আচৰিত মানিছিলোঁ।

মোৰ জ্যেষ্ঠ সহোদৰজনে বঙ্গদেশৰ কলিকতাত থাকোঁতেই, তেওঁৰ পিছৰজনৰ আসামত বিয়া হয়;—অৱশ্যে জ্যেষ্ঠৰ অনুমতি আদায় কৰি। এই কাৰ্য্য মোৰ সমূলি ভাল নালাগিছিল; কিন্তু তেতিয়া মোৰ নিচিনা অৰ্ব্বাচীনৰ মতামতৰেই বা মূল্য কি, আৰু তাক শুনেই বা কোনে? মোৰ মনেৰে, জ্যেষ্ঠজন থাকোঁতে তেওঁৰ কনিষ্ঠজনৰ তেওঁতকৈ আগেয়ে বিয়া হোৱা কাৰ্য্যটোৱে নিশ্চয় জ্যেষ্ঠজনৰ মন ক্ষুণ্ণ কৰিছিল; কাৰণ ইয়াৰ পিছত তেওঁক

কোনো কোনো কাৰ্য্যত reckless অৰ্থাৎ "বে-পৰোৱা" দেখা গৈছিল। এই বিবাহ যোৰহাটত সম্পাদিত হয়। সেই বিয়ালৈ যাওঁতে বাটত দৰা-যৰীয়া আমাৰ যি ভয়ানক কষ্ট হৈছিল, সেই কথা মোৰ এতিয়াও মনত আছে। শঙ্কৰ নামেৰে এটা মেতৰে তাৰ নিজা ব্যৱসায়ত ধন গোটাই ধনী হৈ তিনি-চাৰিখন ঘোৰাৰ গাড়ী কৰিছিল। তাৰে দুখন কি তিনিখন গাড়ী আমি ভেৰোণীয়াকৈ লৈ শিৱসাগৰৰপৰা যোৰহাটলৈ যাত্ৰা কৰিলোঁহঁক। যোৰহাট পাবলৈ পাঁচ ছয় মাইলমান বাট আছে, এনেতে আঁঠুৱনীয়া বোকাই আমাক আগচি ধৰিলে। যোৰহাটলৈকে সেই গোটেইডোখৰ বাটৰ তেনে ভয়ানক দশা! কুৰুক্ষেত্ৰৰ যুদ্ধত কৰ্ণৰ ৰথৰ ৰিলা মাটিত পোত যোৱাৰ দৰে, যোৰহাটীয়া কন্যাঘৰৰ বিপক্ষে অভিযান কৰোঁতা আমি দৰাঘৰীয়াৰ গাড়ীৰ চকাবোৰো ধুৰালৈকে পোত খাই গল। ঘোৰাই "আৰু গাড়ী টানিব নোৱাৰোঁ।" বুলি স্পষ্ট জবাব দি শুই পৰিল। অনতিবিলম্বে ঘোৰাৰ বাব পৰিল আমি মতাবোৰৰ গাত। ঘোৰাৰৰ সলনি অগত্যা আমি গাড়ী টানিব আৰু ঠেলিব লগীয়াত পৰিলোঁ। এচাৰি যি কেইডাল গাড়োৱানৰ হাতত আছিল, সেই এটাই কেইডাল ঘোৰাৰ পিঠিত ছিঙি, বাটৰ কাষৰপৰা যি গছৰ আৰু যেনে জাতৰ গছৰ ডাল পোৱা গল, তাকো সংগ্ৰহ কৰি আনি এচাৰিৰ গাঢ় দি, হয় সকলৰ গ্ৰীৱাৰপৰা টিকালৈকে সেইবোৰ সংযোগ-বিযোগ কৰা হল; কিন্তু "তেৰাসকল" শয়নৰপৰা অতি অনিচ্ছাপূৰ্ব্বক উঠিল যদিও, কোনো-মতেই "তেৰাসকলে" ৰথ টানিবৰ ইচ্ছা প্ৰকাশ নকৰিলে। অগত্যা আমি একটিং ঘোৰাৰ কামত নিযুক্ত হৈ, গাড়ীৰ ভিতৰতে মহিলাসকলক এৰি, আঁঠুৱনীয়া বোকাত নামি সেই বোজাই গাড়ী ঠেলি-বলৈ ধৰিলোঁ। গাড়ী লাহে লাহে কইনা-খোজেৰে যাবলৈ ধৰিলে,—অৱশ্যে কান্ধত থুঁৱলি লৈ অনু-গ্ৰহকৈ থিয় হৈ থকা আচল "ঘোৰালোক"ৰ সহায়ত নহয়, নকল ঘোৰা আমি "আদ্মিলোক"ৰ ঠেলাতহে। আৰু কপালৰ কথা কি কম, সেই ঠেলাৰ সুবিধাৰ ভাগ, গাড়ীৰ ফালে সত্য কথা এৰি দিয়া হয়গ্ৰীৱ-সকলেও গাড়ীৰে সৈতে সমানে লোৱাত অলপো ত্ৰুটী নকৰিছিল; অৰ্থাৎ আমি গাড়ীৰে সৈতে ঘোৰাবোৰকো ঠেলি লৈ যাবলগীয়াত পৰিছিলোঁ-হঁক। যি হওক, সকলো কাৰ্য্যৰে এটা অন্ত আছে; আমাৰ ঘোৰাৰ "এক্‌টিং" কামৰো অন্ত পৰিল; আমি আৰু ঘোৰা সেই অৱস্থাতে অৰ্থাৎ in harness যোৰহাট চহৰ ওলালোঁগৈ।

এই বিয়াৰ এবছৰমানৰ পিছতে আৰু এজন ককাইদেওৰ বিয়া হয়। এই বিয়াখন শিৱসাগৰৰ অৰ্জ্জুনগুৰিত হৈছিল। এই বিয়াত পিতৃদেৱতাই ঘোৰ আপত্তি কৰিছিল; কিন্তু দৰাক আৰু দৰাৰ ভায়েক এজনক হাত কৰি, লৰাবোৰৰ ওপৰত নানা উপায়েৰে প্ৰভাৱ বিস্তাৰ কৰি প্ৰভাৱশীল হওঁতা আমাৰ চৌল-নিবাসী মানুহ এজনে কৌশল কৰি পিতৃদেৱতাৰ আপত্তি ব্যৰ্থ কৰি দিলে। কিন্তু যেতিয়া বিয়া হবই লগীয়া হল, "নান্যঃ পন্থা বিদ্যতে", তেতিয়া পিতৃদেৱতাই নিজৰ পূৰ্ব্ব মত পৰিত্যাগ কৰি আনন্দমনেৰে সেই বিবাহ সুসম্পন্ন কৰিলে।

এইজনৰ পিছৰজন ককাইদেওৰ বিয়া হৈছিল "ৰোমাণ্টিক" (romantic) ধৰণৰ। এই বিয়াৰ কল ভুকুটোতে পকোৱা হৈছিল। শিৱসাগৰত আমাৰ ঘৰৰ ওচৰতে দিখৌ নৈৰ পাৰত এজন ভদ্ৰলোক আছিল। তেওঁৰ জীয়েকৰ সৈতে এজনৰ বিয়াৰ ঠিক হৈছিল। দুৰণিৰটীয়া দৰা; অন্ততঃ বিয়াৰ দিনা পুৱা শিৱসাগৰ পাবহি বুলি কথা আছিল। কিন্তু পুৱা প্ৰায় দহ বাজিল, তথাপি দৰা আহি পোৱাৰ কোনো উমঘামেই নাই। কন্যাৰ বাপেকে লক্ষ্মাই বাটৰ অনেক দূৰলৈকে মানুহ পঠিয়ালে, কিন্তু দৰা অহাৰ কোনো লক্ষণকে দেখা নগল। গতি বিষম যেন দেখি তেওঁ লৰি ফোপাই-জোপাই আহি, পিতৃ-দেৱতাক ধৰিলে যে তেওঁ ঠিক কৰা দৰা অহাৰ কোনো আগন্তুক নাই, অথচ তেওঁ সেইদিনা বিয়া পাতি বহি আছে; তেওঁৰ ছোৱালীৰ বিয়া নহলে তেওঁ বিপাঙে মৰিব; এতেকে পিতৃদেৱতাই সেই ছোৱালী অমুক যোপালৈ বিয়া কৰাব লাগে। ব্ৰাহ্মণৰ বিপদৰ কথা হৃদয়ঙ্গম কৰি দেউতাৰ মন কুমলিল; তেওঁ সেইজন পুতেকক মতাই আনি ব্ৰাহ্মণৰ উপস্থিত বিপদৰ কাহিনী বিবৃত কৰি, বিয়া কৰিবলৈ ৰাজী আছে নে নাই সুধিলে। কন্যাটী সুন্দৰী। আমাৰ ঘৰলৈ সেই কন্যাৰ সততে গতি-বিধি আছিল। সেই দেখি "গৰ্-হাজিৰ" হৈ বৰখাস্ত হোৱা দৰাৰ ঠাইত হাজিৰ হৈ "বাহাল" হবলৈ আমাৰ ককাইদেওজনৰ এঁকধনিটোমানো আপত্তি নহল, আৰু আমাৰ ঘৰৰো আন সকলোৱে সেই শুভকাৰ্য্যৰ সমৰ্থন কৰি আনন্দ প্ৰকাশ কৰিলে। ফলত সেইদিনাই সেই বিবাহ নিৰ্ব্বাহ কৰি, ৰংমনেৰে সুন্দৰী বোৱাৰীক পিছদিনা পুৱা আমাৰ ঘৰলৈ অনা হল। মোৰ ওপৰতে, যিজন সেইজন ককাই-দেউৰ বিয়া হয় 'আসাম-বুৰঞ্জী'-লেখক সুবিখ্যাত কাশীনাথ তামুলী-ফুকনৰ জ্যেষ্ঠ পুত্ৰ কমলানাথ ফুকনৰ জীয়েকৰে সৈতে। কমলানাথ ফুকনৰ কথা আগেয়ে ওপৰৰ এঠাইত কৈ আহিছোঁ। এই জীয়েকৰ বিয়াৰ সময়ত ফুকন জীৱিত নাছিল। ফুকনৰ মৃত্যুৰ পিচত তেওঁৰ লৰা-ছোৱালীকেইটিক

ভায়েকে শিৱসাগৰলৈ আনি নিজৰ আশ্ৰয়ত ৰাখিছিল। এই বিয়াত মই দুৰ্ঘোৰ প্ৰতিবাদ কৰিছিলোঁ। প্ৰতিবাদৰ কাৰণ,—ককাইদেওজনৰ তেতিয়াও স্কুলত পাঠ্যাৱস্থা। কিন্তু মোৰ আপত্তি নিটিকিল। আৰু নিটিকিবৰ কথাও, কাৰণ নগণ্য লৰা এটাৰ নগণ্য আপত্তিলৈ কোনে কাণ দিয়ে? সি কুটুকাৰ ফেনসোপা হৈ বল। তাৰ উপৰি ককাইদেওজন অতি সৰল প্ৰকৃতিৰ মানুহ আছিল। মই তেওঁক বুজাই-বৰাই বিয়া নকৰাবলৈ যিফেৰা টান কৰিছিলোঁ, সেইফেৰা ডাঙৰসকলৰ হেঁচাত ভাগি চূৰ্চুমৈ হল। এতেকে বিয়া সম্পাদিত হল; সকলোৱে ভোজ-ভাত খাই আনন্দ কৰিলে; কিন্তু ককাইদেওজনৰ ছাত্ৰ-জীৱনৰ তেতিয়াৰেপৰা ওৰ পৰিল।

পাঠ্যাৱস্থা-ফাঠ্যাৱস্থা কোনে মানে? ইয়াৰ পিছত, পৰাহেঁতেন মোৰ বিয়া পাতি পেলালে-হেঁতেন। কিন্তু ওপৰত কোৱা ককাইদেওৰ বিয়াত মোৰ তুমুল অথচ নিষ্ফল সংগ্ৰাম দেখি, মোক যে ডবুৱা কটাৰীৰে সতকাই কাটিব নোৱাৰা টান তামোল সেইটো সকলোৱে হৃদয়ঙ্গম কৰিছিল। সেই দেখি আগৰ মোৰ মাটিমহীয়া মাৰ দেখি পিছত মোৰ বিয়া পাতিবৰ অভিলাষ পোষণ কৰোঁতা তিনিবোৰে বেঁত মেলিয়েই বল।

আগেয়ে কৈছোঁ যে যোৰহাটৰ ওচৰত চাওখাত মৌজা আমাৰ লগুৱাৰ ৰৰভঁৰাল আছিল। মনপুৰ নামেৰে আমাৰ এটা লগুৱা আছিল, তাৰো ঘৰ চাওখাততে। আমাৰ ঘৰত চাকৰি কৰোঁতে তাৰ বয়স ভাটী দিলে, তথাপি তাৰ বিয়া নহয়। বিয়া হয়নো কেনেকৈ? তাৰ বিয়ালৈ তিনিকুৰিমান ৰূপৰ দৰকাৰ। সি খাই-বৈ পায় দৰমহা তিন টকা। মাহে মাহে সি দৰমহা নলৈ, তাৰ বিয়ালৈ বুলি দৰমহাৰ ধনখিনি দেউতাৰ হাতত গোট খুৱাই থয়। ছমাহমানৰ দৰমহা গোট খালেই, তাৰ ককায়েক ঘিণ আহি ঘপহ্ কৰে ওলাই, তাৰ ওপৰত চিলনী-থাপ্ মাৰে। মাটিৰ চৰ্কাৰী খাজনা দিবলৈ, বা আন কোনো জৰুৰী কামলৈ টকা লাগে বুলি ঘিণে মনপুৰক বুজাই, তাৰ দৰ্মহাৰ ধনখিনি লৈ গুচি যায়; আৰু সিকালে মনপুৰলৈ ধৰি ঠিক কৰি থোৱা ছোৱালী টকাৰ অভাৱত হাতৰ-পৰা পিছলি পৰে। এইদৰে তালৈ ঠিক কৰা ছোৱালী যে কেইজনী পুলকি গল তাৰ ঠিক নাই। অদৃষ্টৰ এনে পৰিহাস দেখি মনপুৰে শেহত আৰু বিয়া নকৰাওঁ বুলি কৰলৈ ধৰিলে। তাৰ বিয়াৰ কথা ওলালেই সি কয়, "আমাক ছোৱালী নেলা।" "নেলাগে" শব্দটো তাৰ মুখৰপৰা খৰা হৈ "নেলা" হৈ ওলাইছিল। তাৰ "নেলা" শুনি হাঁহিবলৈকে আমি মাজে মাজে তাক তাৰ বিয়াৰ কথা সুধিছিলোঁ। কিন্তু বেচেৰাৰ নৈৰাশৰ গভীৰতাৰ অনুভৱ আমি কৰিব পাৰিছিলোঁনে? যি হওক, প্ৰজাপতিৰ নিৰ্ব্বন্ধত এবাৰ কিবা-স্বৰূপে মনপুৰৰ বিয়া সংঘটিত হল; আৰু বিয়াৰ পিছত সি তাৰ ককায়েকক তাৰ কামত বদলি দি বিষয়-সুখ সম্ভোগৰ নিমিত্তে নিজৰ ঘৰলৈ গল। কিন্তু বোলে "আইৰ ঘৰলৈ যাম দুইহাতে খাম,"—বিধাতাৰ ইচ্ছাত তাৰ সেই সুখ-সম্ভোগ দীৰ্ঘকাল স্থায়ী নহল; বিয়াৰ এবছৰ কি দুবছৰৰ পিছতে মনপুৰৰ মৃত্যু হল।

ব্ৰিটিশ গৱৰ্ণমেণ্টে অসমত ভদ্ৰলোকসকলৰ বন্দী-বেটীবোৰক মুক্তি দিয়াত পোন্ধৰ অনা বন্দী-বেটীয়ে সেই সুবিধা লৈ ওলাই স্বাধীনতাৱলম্বন কৰিলে; যি এক অনাই পুৰণি প্ৰভুৰ পুৰণি মায়া-মমতাৰ ডোল কাটি নগল বা যাব নোৱাৰিলে, সেই এক অনাৰ ভিতৰত আমাৰ ঘৰত এঘৰ আছিল,—গিৰিয়েকৰ নাম মথন, ঘৈণীয়েকৰ নাম ঘিণালাগী। সিহঁত দুজনী জীয়েকেৰে সৈতে এঘৰ ডাঙৰ গৃহস্থ। মথনক আমি লৰা-তৰপে মথন বুলি নাম কাঢ়ি নামাতি "মথন ঘৰগিৰি" বুলিছিলোঁ, আৰু ঘিণ-লাগীক "ঘিণলাগী বাই" বুলিছিলোঁ। সিহঁতৰ ডাঙৰজনী ছোৱালীৰ নাম আহিনী আছিল। এই আহিনীয়েই মোৰ মাতৃদেৱীৰ লগত বিদেশত ফুৰি, মোক কোলাত লৈ আলপৈচান ধৰি ডাঙৰ-দীঘল কৰিছিল। আমি শিৱসাগৰলৈ উভতি অহাৰ কিছু দিনৰ পিছতে আহিনীক মাকে বিয়া দি উলিয়াই দিলে। তাইৰ ভনীয়েকবোৰৰো এজনীৰ পিছত এজনীকৈ বিয়া দি উলিয়াই দিয়া হল। মথনৰ মৃত্যু আমাৰ ঘৰতে হয়, আৰু ঘিণলাগীয়েও আমাৰ ঘৰতে চিৰকাল থাকি জীৱন কটায়। শিৱসাগৰত "ঘিণলাগী বাই" প্ৰখ্যাত বেজিনী (midwife) হৈ পৰিছিল। সেই কাৰ্য্যৰ নিমিত্তে সকলো ভদ্ৰ-লোকৰ ঘৰত ঘিণলাগী নহলে নচলিছিল। বাস্ত-ৱিকতে সপৰিবাৰে ঘিণলাগী আমাৰ ঘৰৰ এক অচ্ছেদ্য অঙ্গবিশেষ হৈ পৰিছিল, আৰু আমাৰ ভিতৰত বন্দী-বেটীৰ ভাৱতকৈ বন্ধুতাৰ ভাৱহে প্ৰবল আছিল। পিতৃদেৱতা আৰু মাতৃদেৱীয়ে ঘিণলাগীক লগত লৈ জগন্নাথ, মথুৰা, বৃন্দাবন আদি তীৰ্থ কৰাই আনিছিল।

পিতৃদেৱতাৰ পুতেকহঁতক বেজবৰুৱা বংশৰ প্ৰধান বিদ্যা আয়ুৰ্ব্বেদ শাস্ত্ৰত পাৰদৰ্শী কৰিবলৈ অহোপুৰুষাৰ্থ কৰি বিফল-মনোৰথ হৈছিল,— মাইকৈ মোক। বান্দৰে মুকুতা-মালাৰ মোল নুবুজাৰ দৰে, সেই কালত মই তাৰ মোল নুবুজি অৱহেলা কৰি-

ছিলোঁ। মোৰ মনত হৈছিল—"আচল বিদ্যাতো ইংৰাজী শাস্ত্ৰবিদ্যা ; আৰু চিকিৎসাবিদ্যা শিকিব লাগে যদি পাশ্চাত্য এলোপাথিক ডাক্তৰী বিদ্যা। দেশীয় বেজৰ বিদ্যা বিদ্যাই নহয়। দেশীয় বেজালী বিদ্যা উনবিংশ শতাব্দীত বাতিল, অসাৰ্থক আৰু অলাগতীয়া।" এনে মূৰ্খামিৰ ভাবেৰে পৰিপূৰ্ণ হৈ মই তাৰ ওচৰ নাচাপিছিলোঁ। এই বাবে এতিয়া মোৰ মনত এনে অনুতাপ হয়, তাক ঈশ্বৰে জানে আৰু মই জানোঁ। কি সুবিধাকে মই হেলাতে হেৰুৱাইছিলোঁ। কি ৰত্নকে মই বুটলি নলৈ ভৰিৰে ঠেলি পেলাইছিলোঁ। দেউতা ৰজাঘৰীয়া বেজ। অসমৰ শেষ ৰজা পুৰন্দৰসিংহই পিতৃদেৱতাক ৰাজসভাত ৰীতিমতে বৈদ্যশাস্ত্ৰত পৰীক্ষা কৰাই, ৰজাঘৰীয়া বেজৰ পদপ্ৰাৰ্থীসকলৰ ভিতৰত শ্ৰেষ্ঠ স্থান দি, নিয়মমতে কামাখ্যাৰ মন্দিৰত শপত খুৱাই লৈ নিজৰ বেজবৰুৱা পাতিছিল। এনেজনৰপৰা আয়ুৰ্ব্বেদশাস্ত্ৰ শিকিবলৈ, সুবিধা পাই, তাক অৱহেলা কৰিছিলোঁ মই— ইংৰাজী-সভ্যতাৰ জকমকীয়া মোহত পৰি।* পিতৃদেৱতাই তেওঁৰ ৰচিত বংশাৱলী গ্ৰন্থত লেখিছে,—

মহাৰাজ পুৰন্দৰসিংহ নৃপমণি।
ঈশ্বৰ-ইচ্ছায়ে পাইলে ইটো ৰাজ্যখনি॥
পঞ্চ তীৰ্থ মধ্যে তাক সাক্ষাত কৰন্তে।
তাহান প্ৰসন্ন দৃষ্টি মোত পৰিলন্তে॥
মোৰ ইষ্টদেৱ গুৰু-প্ৰসাদত তৈতি।
বেজৰ বৰুৱা মোক সিটো স্থানে পাতি।
সঙ্গে আনি ৰব সমাদৰত ৰাখিয়া।
মান্য যশ বিভূতিক দিলে সমৰ্পিয়া॥
বিশেষত মোৰ জ্যেষ্ঠ মই ব্যতিৰেকে।
কাহাৰো ঔষধ ৰাজা নাখায় সম্যকে।
তাহান কৃপাত তান দৰ্ব্বাৰত ৰই।
কৌজদাৰী চিৰতাৰ অধিপতি হই॥
থাকন্তে ৰাজ্যৰ চ্যুত ভৈলেক ৰাজাৰ।
কোম্পানীৰ হস্তগত জানিবা সুসাৰ॥

মনত আছে, একো একোদিনা পিতৃদেৱতাই মোক ৰলেৰে ধৰি আনি বৈদ্যশাস্ত্ৰ "ভাৱ প্ৰকাশ" পুথি মেলি মোৰ আগত দি, মোক পঢ়াবলৈ ওচৰতে বহি অনৰ্গল তাৰ শ্লোকবোৰ মুখস্থ মাতি ব্যাখ্যা কৰি মোক শুনাই গৈছিল। কিন্তু মোৰ মন-বিৰাগোম ক'ত উৰি ফুৰিছিল, তাক তেওঁ নাজানিছিল। ভাৱ-প্ৰকাশৰ—

পঞ্চাভিভূতস্বথ পঞ্চকৃত্বা
পঞ্চেন্দ্ৰিয়ং .পঞ্চসু ভাৱয়িত্বা....
পঞ্চত্বমায়াতি বিনাশকালে॥

এই শ্লোকৰ দাৰ্শনিক ব্যাখ্যা কৰি পিতৃদেৱতাই মোক পঢ়ায়, আৰু সেই শ্লোক আৰু তাৰ ব্যাখ্যাই মোৰ মনত পঞ্চত্ব লভি তেতিয়াই বিনাশপ্ৰাপ্ত হয়। মোৰ আনবোৰ অগ্ৰজোৱে বৈদ্যশাস্ত্ৰ-শিক্ষাৰ প্ৰতি মোতকৈ বেছি আগ্ৰহান্বিত আছিল, এনে বুলিব নোৱাৰোঁ ; তথাপি তেওঁলোকবে মোৰ সমান হত-ভগীয়া আছিল এনে নহয় ; তেওঁলোকে কিছু দূৰ-পঢ়িছিল, আৰু চিকিৎসা কৰিবলৈ কিছু দূৰ শিকিছিল। তেওঁলোকৰ ভিতৰত ব্ৰজনাথ আৰু ভুবন-এজন একপ্ৰকাৰ ভাল চিকিৎসকেই হৈ উঠিছিল। কিন্তু ৰীতিমতে শাস্ত্ৰ পঢ়ি শাস্ত্ৰ-বিদ্যাত বিশাৰদ হোৱাটো তেওঁলোকৰ অদৃষ্টতো ঘটিছিল বুলি কব নোৱাৰোঁ। পুত্ৰেকহঁতৰ গাঢ়-গতি দেখি হতাশ হৈ, এদিন পিতৃদেৱতাই আমাক কলে,—"বাৰু, অকল ইংৰাজীকে পঢ়ি তহঁত যি হব খুজিছ হ, মই আৰু তহঁতক একো নকওঁ ; কিন্তু মই মোৰ লৰা এটাক মোৰ মনৰ মতেৰে আমাৰ পুৰণি বৈদ্য-শাস্ত্ৰ পঢ়াই শিকাই-বুজাই লবলৈ থিৰ কৰিছোঁ ; তাক আৰু ইংৰাজী পঢ়িবলৈ নিদিওঁ। লক্ষ্মণকে মই মোৰ মনৰ মতেৰে শিক্ষা দিম।"

লক্ষ্মণ মোৰ পিছৰে মোৰ সৰু ভাই। দেউতাই তাক ইংৰাজী স্কুলৰপৰা নাম কটাই আনি ৰীতিমতে বৈদ্যশাস্ত্ৰ পঢ়াবলৈ ধৰিলে। এই কাৰ্য্য দেখি আমি "ইংৰাজীৱালা পণ্ডিতবোৰে" ভাবিলো, লক্ষ্মণৰ ইহকাল-পৰকাল গল। কিন্তু বাস্তৱিকতে লক্ষ্মণে দুই-চাৰি বছৰৰ ভিতৰতে আয়ুৰ্ব্বেদীয় চিকিৎসা-বিদ্যাত বেছ পাৰদৰ্শিতা লাভ কৰিলে। "মানুহে পাতে, ঈশ্বৰে ভাঙে" বুলি কয়। ঈশ্বৰৰ ইচ্ছা নহয় হবলা যে অসমৰ পুৰণি কালৰেপৰা প্ৰসিদ্ধভাৱে চলি অহা আয়ুৰ্ব্বেদ-বিদ্যাৰ প্ৰবাহ থাকে ; সেই দেখি পিতৃদেৱতাৰ আশাভঙ্গ কৰি ঈশ্বৰে লক্ষ্মণক অকালতে মাৰি নিলে। মহামহা ৰাকপীত পিতৃদেৱতাই লক্ষ্মণক

*"In man's history there come ages of fireworks which dazzle us by their force and movement. They laugh not only at our modest household lamps but also at the eternal stars. But let us not for that provocation be precipitate in our desire to dismiss our lamps. Let us patiently bear our present insult and realize that these fireworks have splendour but not permanence, because of the extreme explosiveness which is the cause of their power, and also of their exhaustion. They are spending a fatal quantity of energy and substance compared to their gain and production."—Nationalism, by Sir Rabindranath Tagore.

মাতৃদেৱীৰে সৈতে লগত লৈ গঙ্গাস্নান কৰিবলৈ কলিকতালৈ আহিছিল। মই তেতিয়া কলিকতাত প্ৰেছিডেঞ্চি কলেজত এম-এ, পঢ়িছিলোঁ। পিতৃদেৱতাৰ নিমিত্তে মেডিকেল কলেজ ষ্ট্ৰীটত সুকীয়াকৈ এটা ঘৰ কেৰেয়া কৰি তাতে তেওঁলোকক থাকিবৰ দিহা কৰি দিলোঁ। কলিকতা পোৱাৰ পিছদিনাই লক্ষ্মণৰ বিসূচিকা ৰোগ হৈ সেই ৰোগতে একেদিনৰ ভিতৰতে ১৮৯১ খ্ৰীষ্টাব্দৰ ৭ ফেব্ৰুৱাৰিত সি প্ৰাণত্যাগ কৰে। পিতৃদেৱতাৰ মূৰত হঠাৎ আকাশী চৰগ ভাগি পৰিল। কিন্তু এনে বিপদতো তেওঁৰ প্ৰশান্ত মূৰ্ত্তি আৰু ধৈৰ্য্য দেখি সকলোৱে আচৰিত মানিছিল। তেওঁ মাথোন এষাৰ কথা কৈছিল- "ঈশ্বৰৰ ইচ্ছা নহয় যে আসামত আমাৰ ঘৰত বংশানুক্ৰমে চলি অহা বেজৰ বিদ্যা থাকে।" মোৰ মনত আছে, শ্ৰীযুত গঙ্গাগোবিন্দ ফুকন ডাঙৰীয়া তেতিয়া কলিকতাতে আছিল। লক্ষ্মণৰ মৃত্যুৰ সময়ত তেৱোঁ কাষতে বহি আছিল। এই মৃত্যুত তেওঁ অন্তৰত ইমান আঘাত পাইছিল, যে শোকৰ বেগ সামৰিব নোৱাৰি, হুক্‌হুক্ কৰে কান্দিবলৈ ধৰিলে। আমি চাৰিজনে লক্ষ্মণৰ মৃত দেহ কান্ধত লৈ গঙ্গাৰ ঘাট নিমতলাত পুৰিবলৈ লৈ গলোঁ। পিতৃদেৱতাই কীৰ্ত্তন-ঘোষাৰপৰা "জয় হৰি জয় ৰাম" এই যাত্ৰা-ঘোষা ধৰি, "গোপৰূপে নন্দৰ তনয়। শুভক্ষণে কৰিলা বিজয়" পদ দি লগে লগে গল; আমি ঘোষা গাই গাই শ্মশান পাই, যথাবিধি শৱৰ সৎকাৰ কৰিলোঁ।

পিতৃদেৱতাৰ এটা ঔষধালয় আছিল। তাত তেওঁ আয়ুৰ্ব্বেদোক্ত ঔষধ প্ৰস্তুত কৰিছিল। দৰবৰ উপাদানবোৰ খুন্দা, বটা, বৰি পকোৱা, জাৰোণ পোৱা, দৰবত ভাৱনা দিয়া ইত্যাদি কৰিবলৈ দৰ্ম্মহা দি মানুহ ৰখা হৈছিল। সেই মানুহৰ ভিতৰত ৰাজকুমাৰ নামেৰে এটা বঙালী মানুহ আছিল। সি প্ৰায় পাঁচছবছৰ দেউতাৰ লগত থাকি সেই কাম কৰি, practical knowledge অৰ্থাৎ হাতে-কলমে হোৱা অভিজ্ঞতা লভি, ডাক্তৰখানা বা আস্পতালৰ কম্পাউণ্ডাৰ বা দেৰেটীয়ে চাকৰিৰপৰা অৱসৰ লৈ, "গায়নৰ ঘৰৰ বোন্দাইও ৰাগ দিয়ে" এই বাক্যৰ সাৰ্থকতা প্ৰমাণ কৰি, ডাক্তৰী কৰাদি, তাৰ দেশলৈ উভতি গৈ "৺ৰাজকুমাৰ শীল কবিৰাজ" উপাধি লৈ কবিৰাজী কৰি সুখেৰে জীৱিকা নিৰ্ব্বাহ কৰিছিল।

দেউতাই যদিও তেওঁৰ ঔষধালয় ব্যৱসায়-হিচাপত চলাবলৈ গৈছিল, তথাপি তেওঁৰ দৰব আৰু চিকিৎসাৰ চাৰি ভাগৰ তিনি ভাগ বন্ধু-বান্ধৱ, চিনাকি মানুহ আৰু খোজনীয়াৰ মগনিয়াৰৰ ভিতৰত "বিনামূল্যে বিতৰিত" শ্ৰেণীভুক্ত হৈ তেওঁৰ ব্যৱসায়ক অনেক দূৰ অব্যৱসায় কৰি তুলিছিল। তথাপি মুঠতে, তেওঁৰ দৰবৰ ব্যৱসায়ৰপৰা আয়যে নহৈছিল, এনেও নহয়।

দেউতাই শিৱসাগৰলৈ আহিয়েই তেওঁৰ ঘৰৰ বাট-চৰাৰ ওচৰতে এডোখৰ মাটিত এটা ডাঙৰ ৰাজহুৱা নামঘৰ সজাই তাত ৰাজহুৱা সবাহ, পূজা, ইত্যাদি কৰাবৰ দিহা কৰিছিল; কি অদম্য উৎসাহেৰে দেউতাই সেই ৰাজহুৱা কাৰ্য্যবোৰত যোগ দি সেইবোৰ সুসম্পন্ন কৰাছিল, দেখি আচৰিত মানিব লগীয়া। বৃদ্ধ তেওঁৰ উৎসাহ আৰু কাৰ্য্যকৰী শক্তিৰ "জোৰৰ আগত ৰাতিৰ পোহৰ"ৰ দৰে হৈ পৰিছিল।

দলাদলি নামৰ এটা ডাঙৰ দৈত্যই অতীজৰেপৰা ভাৰতবৰ্ষক ভৰিৰে দলি আহিব লাগিছে। তাৰ গচকত ভাৰতবাসীয়ে মিলি-জুলি শক্তিমন্ত হৈ কোনো ভাল কামকে কৰিব নোৱাৰে। সেই বাবেই ঘাইকৈ, ভাৰত আজি শ শ বছৰ ব্যাপি পৰৰ গোলাম। বুজন-নিৰ্গত ভাৰতবাসীৰযে এই কথাৰ ভু নাই এনে নহয়; কিন্তু ভাৰতে দৈত্যটোৰ প্ৰচণ্ড মূৰ্ত্তি দেখিয়েই, আপোনাৰ সন্মিলিত শক্তিৰ মহিমা পাহৰি ভয়ত জড়ভৰত হৈ পৰে। বাস্তৱিকতে এই দৈত্য দিতিৰ পুত্ৰ নহয়, ভাৰতবাসীৰ মানস-পুত্ৰহে। ভাৰতবাসীক "বনৰ বাঘে খোৱা নাই, মনৰ বাঘেহে খাই মাৰিছে।" যিদিনাই ভাৰতবাসীয়ে এই মায়াপী মনৰ বাঘটো বধিব পাৰিব সেই দিনাৰ পৰাই ভাৰতবাসীৰ সুদিন উভতি আহিব। যি হওক, শিৱসাগৰৰ সেই ৰাজহুৱা নামঘৰ লৈও কিছুদিনৰ পিছত দলাদলিৰ সূত্ৰপাত হল। তথাপি দেউতা যিমান দিন জীয়াই আছিল, তেওঁ অকলৈ এশ হৈ সেই নাম-ঘৰ ৰক্ষা কৰি তাৰ কাৰ্য্য সুচাৰুৰূপে চলাই আছিল।

সম্ভৱতঃ বৰপেটাৰ তিথিৰাম বায়নৰ বঙলা যাত্ৰাগানৰ "পালা" দেখি, শিৱসাগৰৰ অসমীয়া ভদ্ৰলোকসকলৰ ভিতৰত বঙলা যাত্ৰাগান কৰিবৰ ধুম উঠিল। ফুকন মুক্তানাথ খাজাঞ্চী তিনিহিদেওৰ নেতৃত্বত আৰু দুই চাৰিজন বঙালীৰ সাহায্যত ৰাধাৰ মানভঞ্জনৰ "পালাৰ" আখৰা চলিবলৈ ধৰিলে। গানৰ উছাহৰ চোৱে শিৱসাগৰত দল্‌দোপ্ হেন্দোল্‌দোপ্ লগাই দিলে। কিছুমান অসমীয়া লৰাক "গানৰ ছোকোৰা" কৰা হল, আৰু দুই-চাৰিজন অসমীয়া আদহীয়া ভদ্ৰলোকে দুই-এজন বঙালী ভদ্ৰলোকেৰে সৈতে হাতত বেহেলা লৈ "ওস্তাদ" হৈ উঠিল। অসমীয়া লৰাই—"দেখে যা গো চন্দ্ৰাবলী, কোঞ্জ (কুঞ্জে) দুৱাৰে (দ্বাৰে) বনমালী"—বুলি কঁকাল মুৰাই বেজিয়া গানৰ সভাত নাচিবলৈ

ধৰিলে, অসমীয়া দৰ্শকৰ আনন্দৰ পাৰ নোহোৱা হল। বছৰচেৰেক এই গানৰ চৌৱে শিৱসাগৰ, যোৰহাট আৰু গোলাঘাটক কোবাই, তাৰ সৰু হেল্গোলনিবোৰ দূৰৰ চাহ-বাগিচাবোৰৰ ৰৰমহৰী, সৰুমহৰী, হাজিৰা মহৰী, পাত-মহৰীৰ মাজলৈ সুমাই দি আৰু ওচৰৰ নদীয়াল, বৃত্তিয়ালৰ ভিতৰৰ ডেকালবাবোৰৰ গাত থলক লগাই, সেইবোৰৰ ভিতৰত ক্ষুদ্ৰ ক্ষুদ্ৰ গানৰ পালা একোটা সৃষ্টি কৰি দি বঙলা গানৰ অসমীয়া শৰাধ কৰাই আপোনা-আপুনি মাৰ গল। ওপৰত কোৱা হেল্গোলনিৰ ফলত বঙলা যাত্ৰাগানৰ অনুৰাগী হোৱা সকলৰ গানৰ একাকি-দুকাকি এতিয়াও মোৰ মনত আছে, যেনে—

(১) ওৰে গা—ভীসৰ!
কৰে হাম্বা—আ-ৰব,
দেখ গা—ভী—ই স—অ—ৰ।

(২) ঐ দেখ বকোলেৰ (বকুলেৰ) মূলে।
সন্দ্ৰোদয় (চন্দ্ৰোদয়) কি ভো—ও—তলে
(ভুতলে)।

(২) ৰাধাৰোমণ (ৰাধাৰমণ) হে বোল বোল
(বল বল) বিৰৰণ। কাৰ কোঞ্জে
(কুঞ্জে) চুখ (সুখ) ভোজে (ভুঞ্জে)
নিচি (নিশি) কৈলে জাগৰণ॥

ভাদ মাহত শ্ৰীশঙ্কৰদেৱৰ আৰু বদুলা আতাৰ তিথি হয়। এই তিনি তিথিক "ভাদৰ তিনি কীৰ্ত্তনো" বোলে। আমাৰ ঘৰত এই তিনি কীৰ্ত্তন দিনে-ৰাতিয়ে তিনি দিন ব্যাপি মহাসমাৰোহেৰে কৰা হৈছিল। তিথিৰ দহ-বাৰদিনৰ আগৰেপৰা উছাহত আমাৰ তৎ নাথাকে। তিথিৰ থাপনিৰ দিনাৰেপৰা নাম-প্ৰসঙ্গত থাপনাৰ আগত শৰাইত দিবলৈ কল বিচাৰি শিৱসাগৰৰ মানুহৰ কলবাৰী চলথ কৰি ফুৰোঁহক, আৰু থোকা-থোকে কেঁচা কল কাটি আনি জাগ দি পকাবৰ দিহা কৰোঁহক। গাজি-প্ৰসাদৰ শৰাইৰপৰা আৰম্ভ কৰি আঠ-দহখন শৰাই মাহ-চাউল-কলেৰে কেনেকৈ উপচি পৰিব, এইটো আমাৰ মহা ভাবনাৰ বিষয় হৈ পৰে। আমাৰ ঘৰতে তিনি-চাৰিজোৰ ভোৰ্ তাল, তথাপি আৰু পাঁচ ছজোৰ ভোৰ্ তাল আনি গণকপাটিৰপৰা গোটাই আনি বজাই নাম-প্ৰসঙ্গৰ ধ্বনিৰে গোটেইখন ছহৰ থলক লগাই দিওঁহক। তিথিৰ দিনা ৰাতিয়ে-দিনে গীত ভাটিমা নাম-প্ৰসঙ্গ অখণ্ডভাৱে চলে। পিছদিনা অৰ্থাৎ তৃতীয় দিনা, যাত্ৰা-যোমা আৰু তাৰ অন্তত চৰিত্ৰ তোলা হৈহে তিথি-মহোৎসৱৰ ওৰ পৰে। চৰিত্ৰ তোলা মানে শ্ৰীশঙ্কৰদেৱৰ তিথিত শ্ৰীশঙ্কৰদেৱৰ, শ্ৰীমাধৱদেৱ আৰু বদুলা আতাৰ তিথিত মাধৱদেৱ আৰু বদুলা আতাৰ আৱি-ৰ্ভাৱৰ আগৰেপৰা তিৰোভাৱলৈকে গোটেইবোৰ ঘটনা মালিনীয়ে ফুলৰ মালা গঁথাদি গাঁথি সূক্ষ্মাতি-সূক্ষ্মৰূপে বৰ্ণনা কৰি যোৱা হয়। পুথি চাই নহয়, নিজৰ মনৰপৰা সুঁৱৰি। আমাৰ ঘৰৰ তিথিত এই চৰিত্ৰ তোলা কাৰ্য্য পিতৃদেৱতাই নিজে কৰি-ছিল, আৰু আমি সকলোৱে অতি সন্তৰ্পণে ভক্তি-ভাৱে শুনিছিলোঁ। দুইজন গুৰুৰ শিষ্য বাৰজন আতাৰ (যেনে মথুৰদাস বা বুঢ়াআতা, ৰৱিষ্ণু আতা, ভাটৌকুছি আতা ইত্যাদি) তিথিও বছৰে বছৰে নিয়মমতে আমাৰ ঘৰত কৰা হৈছিল, আৰু সেই সকলৰো চৰিত্ৰ তুলি তিথিৰ সামৰণি মৰা হৈছিল। পুথি চাই বা পঢ়ি চৰিত্ৰ তোলাৰ নিয়ম নাই। বেদ বা শ্ৰুতি যেনেকৈ আগৰ কালত লিখিত হোৱাটো অবিহিত কাৰ্য্য বিবেচিত হৈছিল, দুইজনা মহাপুৰুষৰ আৰু আতাসকলৰ চৰিত্ৰও তেনেকৈ লিখি ৰখাটো অবিহিত বিবেচিত হৈ সন্ত সাধুসকলৰ মুখে মুখে সেই চৰিত্ৰ প্ৰচলিত হৈ আহিছিল, নতুবা শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ আৰু আতাসকলৰ জীৱন-চৰিত্ৰৰ আটক আজিকালি যেনেকৈ অনুভৱ কৰা যায়, সেইটো নাথাকিল-হেঁতেন। বৰপেটা, কমলাবাৰী আদি মহাপুৰুষীয়া সত্ৰবোৰত এতিয়াও এই ৰীতি প্ৰচলিত, আৰু তিথিৰ শেহ দিনা চৰিত্ৰ তোলাত দুইজনা মহাপুৰুষৰ আৰু আতাসকলৰ জীৱনৰ ঘটনাবোৰ বিস্তাৰিতভাৱে বিবৃত হয়।

আমাৰ ঘৰত ফাকুৱা বছৰে বছৰে কৰা হৈছিল। এই ফাকুৱাত আমি লৰাবোৰৰ ইমান উৎসাহ আছিল যে, কুলীয়ে বা চাকৰ-নাকৰে কৰিবলৈ অপেক্ষা নকৰি, ফাকুৱা-ঘৰৰ (দৌলৰ) পাঁচ-ছহাত ওখ ভেঁটিটো আমি নিজে কোৰেৰে মাটি কাটি সেই মাটি বৈ আনি কৰি দিছিলোঁহক, ৰাজহুৱা নাম-ঘৰতো ফল্গুৎসৱ কৰা হৈছিল। যিদিনা খাটোলাত তুলি কৃষ্ণ-মূৰ্ত্তিক ফুৰাবলৈ লৈ যোৱা হয়, সেইদিনা ইটোৱে সিটোৰ গাত ফাকু মৰা, চেৰেকাপানী মৰা, কুহুম মৰা আৰু বাটৰ কাষৰ খাৱৈ বা বিল বা হোলাৰপৰা বোকা পানী আনি ইটোৱে সিটোৰ গাত চলা-চলি কৰাৰ নিচিনা উৎকট ধেমালিত আমি ৰলিয়া হৈ ফুৰিছি-লোঁহক। গণকপাটিৰ ফাকুৱাৰ শোভা-যাত্ৰা আমাৰ প্ৰতিদ্বন্দী আছিল। দুই দলৰ ভেটাভেটিত দুই দলৰ ভিতৰত উতনুৱা ডেকাবোৰৰ ভিতৰত ধকাখুন্দা লাগি মৰামৰি পৰ্য্যন্ত হোৱা দেখা গৈছিল।

ৰাস-পূজা আমাৰ ঘৰত হৈছিল, কিন্তু এৰা ধৰাকৈ। কোনো বছৰ হৈছিল, কোনো বছৰ নহৈছিল। হোৱা বছৰৰ গুৰিত মই "মোদ"। মই মাটিৰ মূৰ্ত্তি সজা

বিদ্যাত মনে মনে পাকৈত হৈ পৰিছিলোঁ। প্ৰথমতে দেউতাই নেদেখাকৈ, ধান খেৰৰ জুমুথি বান্ধি, কুমাৰমাটি আনি, ৰধা-কৃষ্ণৰ মূৰ্ত্তি সাজি, পিছত সেই মূৰ্ত্তি সম্পূৰ্ণ হবৰ সময়ত দেউতাৰ চকুত পৰাকৈ থৈ দিছিলোঁ। কাৰণ প্ৰতিমা প্ৰস্তুত দেখিলেই দেউতাই অগত্যা পূজা পাতিবলৈ বাধ্য হব। এইখিনিতে অবান্তৰভাৱে নাহেকৈ কৈ থওঁ যে, সৰুতে মাটিৰ মূৰ্ত্তি সাজিবলৈ শিকা বিদ্যাই এই বুঢ়া বয়সতো কাম দিছিল। সিদিনা মহাযুদ্ধৰ শান্তিপৰ্ব্বৰ আৰম্ভণত (peace celebration) সমলপুৰত নানাবিধ উৎসৱ আনন্দৰ দিহা কৰা হৈছিল। সমলপুৰৰ ডিপুটি কমিশ্যনৰ মিষ্টৰ ইংগোলছ (A. L. Ingless ছাহাবে, কলিকতাৰ ৰয়েল থিয়েটৰত ডাক্তৰ ৰবীন্দ্ৰনাথ ঠাকুৰ-বিৰচিত বাল্মীকি-প্ৰতিভা নাটৰ ভাৱনাত মোৰ অভিনয়ৰ কথা কেনেবাকৈ আন য়ুৰোপী সকলৰপৰা শুনিছিল। তেওঁ মোক ধৰাকৈ ধৰিলে, যেন সমলপুৰৰ ভিক্টোৰিয়া মেমৰিয়েল হলত মই সেই বাল্মীকি-প্ৰতিভা ভাৱনা কৰোঁ। মই অগত্যা মোৰ ছোৱালী তিনিজনী আৰু গৃহিণীৰে সৈতে, আৰু লগত আন চাৰি-পাঁচজন ভদ্ৰলোকক লগত লৈ সেই ভাৱনা কৰিছিলোঁ। তাতে কালীৰ প্ৰতিমা দৰ্কাৰ। সমলপুৰত সেই প্ৰতিমা দুৰ্লভ হোৱাত, মই দুদিনৰ ভিতৰতে নিজ হাতে মাটিৰ কালীমূৰ্ত্তি সাজি লৈ সেই কাৰ্য্য সুন্দৰৰূপে সমাধা কৰিলোঁ।

আপোনা-আপুনি চেষ্টা কৰি সৰুতে মই চিত্ৰ-বিদ্যাতো অলপ-অচৰপ জ্ঞান লভিছিলোঁ। অসমত কীৰ্ত্তনঘৰ বা নামঘৰবোৰৰ বেৰ গোবৰ-মাটিৰে বা শুদা বোকাৰে লেপা নিয়ম নাই। তাৰ ভকতীয়া ব্যাখ্যা এই—ইন্দ্ৰদ্যুম্ন ৰজাই হৰিকীৰ্ত্তন শুনি থাকিবলৈ সহস্ৰ কাণ প্ৰাৰ্থনা কৰিছিল। তেওঁৰ প্ৰাৰ্থনা পূৰ্ণ কৰা হল। তেওঁৰ সহস্ৰকাণেই কীৰ্ত্তন-ঘৰৰ বেৰৰ সহস্ৰ ছিদ্ৰ। মোৰ মনেৰে নামঘৰৰ বাহিৰত ৰহা আৰু থকা মানুহৰ কাণতো যাতে নাম-কীৰ্ত্তনৰ ধ্বনি আহি সোমাবৰ পৰে, এই অভিপ্ৰায়েৰে মহাপুৰুষে এই ব্যৱস্থা কৰিছিল। শ্ৰীশঙ্কৰদেৱ ৰচিত বৰগীতত আছে,—

বলহু ৰাম-নামেসে মুকুতি নিদান।
বুলিতে এক, শুনিতে শত নিতৰে,
নাম-ধৰম বিপৰীত।

আমাৰ ঘৰৰ এনে কীৰ্ত্তন-ঘৰৰ বেৰত এখনৰ এডোখৰত কুমাৰ-মাটি লেপি মই মনে মনে শ্ৰীকৃষ্ণলীলাৰ ছবি গোটচেৰেক হেঙুল-হাইতালেৰে আঁকিছিলোঁ। কীৰ্ত্তন-ঘৰৰ বেৰ লিপাৰ নিচিনা অবিধি কাৰ্য্য দেখিও তাত কৃষ্ণমূৰ্ত্তিবোৰ থকাৰ বাবে পিতৃদেৱতাই মোৰ, দায় নধৰি, সেই মূৰ্ত্তিবোৰ অনেক কাললৈকে ৰক্ষা কৰিছিল। দেউতাৰ মৃত্যুৰ পিছত কীৰ্ত্তন-ঘৰৰ জীৰ্ণসংস্কাৰৰ সময়তহে সেই মূৰ্ত্তিবোৰ বিলোপ হয়।

আজিকালিৰ কথা কব নোৱাৰোঁ, সেই কালত শিৱসাগৰৰ গণকপটিত নাম-কীৰ্ত্তনৰ বৰ পয়োভৰ আছিল। হৃদয়স্পৰ্শী সুললিত হৰি-নামৰ নিমিত্তে গণকপটি সুবিখ্যাত আছিল। শ্ৰীযুত হৰকান্ত নাজিৰ, আৰু শ্ৰীযুত গোপীনাথ শৰ্ম্মাৰ নেতৃত্বত গণকপটিৰ নাম-কীৰ্ত্তনৰ দল আহি কোনো ৰাজহুৱা সবাহত বেতিয়া আমাৰ ৰাজহুৱা নামঘৰত হৰিনাম গাবলৈ আৰম্ভ কৰে, তেওঁলোকৰ শৃঙ্খলিত আৰু সুললিত হৰিনাম কীৰ্ত্তনৰ ধ্বনিত সকলো বিমুগ্ধ হয়। তেওঁলোকৰ সৰহ ভাগেই আউনীআটি আৰু দক্ষিণ-পাটৰ শিষ্য। কিন্তু দুই মহাপুৰুষৰ কীৰ্ত্তন-ঘোষা আৰু নাম-ঘোষাই তেওঁলোকৰ হৰি-কীৰ্ত্তনৰ অক্ষয় ভাণ্ডাৰ। মহাপুৰুষ-বিৰচিত নাম-ঘোষা আৰু কীৰ্ত্তন-ঘোষা কৰ্ত্তন কৰি ওভোতা-সোঁত বোৱাবলৈ ওলোৱা আজিকালিৰ জনচেৰেক দৈৱজ্ঞ শ্ৰেণীৰ মানুহৰ নিচিনা সেই আগৰ তেওঁলোক নাছিল। কীৰ্ত্তনঘোষাৰপৰা ঘোষা আৰু পদ দি, ভক্তি-গদগদ কণ্ঠেৰে সুমধুৰ নাম-কীৰ্ত্তন লগাই দিওঁতা শ্ৰীযুত হৰকান্ত নাজিৰ আৰু গোপীনাথ শৰ্ম্মাই এই লেখকৰ অশেষ শ্ৰদ্ধা এনেকৈ আকৰ্ষণ কৰিছিল যে তাক পাহৰিব নোৱাৰোঁ।

শিৱসাগৰ জিলাৰপৰা পোন্ধৰ মাইলমান দূৰত জৰাবাৰী সত্ৰ। জৰাবাৰী মহাপুৰুষীয়া সত্ৰ। তাৰ অধিকাৰজন উদাসীন, ডেকাজন বিষয়া। ডেকাজন সততে আহি আমাৰ ঘৰত থাকিছিল। আমাৰ মৰমৰ ডেকা কবি শ্ৰীমান যতীন্দ্ৰনাথ দুৱৰাৰ পিতৃদেৱতা শ্ৰীযুত শ্যামসুন্দৰ দুৱৰাৰ ঘৰ তেওঁৰ কুটুম্ব-ঘৰ; আৰু আমাৰ ওচৰতে। তথাপি জৰাবাৰীৰ ডেকা গোসাঁয়ে দুৱৰা ডাঙৰীয়াৰ ঘৰত নাথাকি আমাৰ ঘৰত থাকিবলৈ ভাল পাইছিল। তেওঁ আঁজীৰপৰা মহা-জনীয়া ঘোষা এটাত উঠি আহি গধূলি বেলিকা টকচ্ টকচ্ কৰে যি দিনা আমাৰ ঘৰত ওলায়হি, সেইদিনা আমাৰ মহা ৰং। ৰাতি তেওঁৰ ওচৰত বহি মই অনেক সাধু-কথা শুনিছিলোঁ। মোৰ "সাধুকথাৰ কুকি" থকা "ঘৰপতা ককা" আৰু "বুলা খোৱা বুঢ়া" তেওঁৰেপৰা মই শুনা সাধু। তেওঁৰ ৰবপুতেক শ্ৰীযুত নিত্যানন্দ ডেকা গোসাঁই (যি আজিকালি জৰাবাৰী সত্ৰৰ অধিকাৰ) আমাৰ পুখুৰীপাৰৰ ঘৰতে থাকি, দেউতাৰ কাষত সংস্কৃত লেখা-পঢ়া শিকিছিল। নিত্যানন্দ ডেকা গোসাঁই মোৰ অতি মৰমৰ বন্ধু আছিল। আজি কত কাল যদিও মই তেওঁক দেখিবলৈ পোৱা নাই, তথাপি মোৰ সোঁৱৰণৰ সুমধুৰ চুক এটাত তেওঁ সদায় আছে।

পিতৃদেৱতাৰ সদায় এটা বৰ ইচ্ছা আছিল যে তেওঁ চৰ্কাৰী কামৰপৰা অৱসৰ লৈ শিৱসাগৰত থাকি

ধৰ্ম্মশাস্ত্ৰালোচনা কৰি তেওঁৰ জীৱনৰ বাকীডোখৰ কাল কটায়। শিৱসাগৰলৈ আহিয়েই তেওঁ সেই ইচ্ছা কাৰ্য্যত পৰিণত কৰিলে; প্ৰথমডোখৰত তেওঁ আবেলি চাৰিমান বজাৰপৰা আন সকলো কাৰ্য্য এৰি, চৰাঘৰত বহি, অসমীয়া ৰামায়ণ মহাভাৰত আদি পুৰাণ পুথি আনৰ হতুৱাই পঢ়াই শুনিছিল; আৰু মই আৰু মোৰ ককাইদেও শ্ৰীনাথ শ্ৰোতা শ্ৰেণীভুক্ত আছিলোঁ। ইয়াৰ পিছত পিতৃদেৱতাই নিজে সংস্কৃত বাৰস্কন্ধ ভাগৱত পাঠ আৰু ব্যাখ্যা কৰিবলৈ ধৰিলে, আৰু আমিও স্কুলৰপৰা আহি গা-পা ধুই ওচৰতে বহি একাত্মমনে আনন্দৰে সেই ভাগৱত পাঠ আৰু ব্যাখ্যা শুনিবলৈ ধৰিলোঁ। চৰাঘৰৰ মাজঠাইতে মাটি সাৰি মচি এখন কাঠৰ আসনৰ ওপৰত শ্ৰীমদ্ভাগৱত শাস্ত্ৰ ৰখা হৈছিল, আৰু পিতৃদেৱতাই তাৰ সন্মুখতে বহি পঢ়ি ব্যাখ্যা কৰিছিল। শ্ৰোতাসকল তেওঁৰ তিনিওফালে বহিছিল। মই পৰাপক্ষত কেতিয়াও সেই শাস্ত্ৰ ব্যাখ্যা শুনাৰপৰা অনুপস্থিত নহৈছিলোঁ। শ্ৰোতাসকলৰ ভিতৰত এজন বৰ "মজাৰ" বুঢ়া বামুণ মানুহ আছিল, তেওঁৰ নাম বটু বাপু। বটু বাপুৰ ঘৰ অৰ্জ্জুন-গুৰিত। অৰ্জ্জুন-গুৰি আমাৰ ঘৰৰপৰা তিনি-চাৰি মাইলমান দূৰত। কি ৰ'দ, কি বৰষুণ কি ধুমুহা বতাহ, বা আন দুৰ্য্যোগ একোৱে বটু বাপুক ভাগৱত শুনিবলৈ অহাত বাধা দিব নোৱাৰিছিলঁ। তেওঁ দিনৌ খোজ কাঢ়ি আহি ঠিক সময়ত উপস্থিত হৈছিলহি, আৰু ৰাতি এন্ধাৰেই হওক বা পোহৰেই হওক, হাতত লাখুটি এডাল লৈ তাৰে খট্ খট্‌কৈ মাটি কোবাই গৈ গৈ তেওঁৰ ঘৰ পাইছিল। তেওঁ শ্ৰীনাথ ককাইদেওৰপৰা আষাৰচেৰেক ইংৰাজী কথা শিকি মুখস্থ কৰি ৰাখিছিল, যথা—"well, my dear sir, how do you do ? Quite well." তেওঁৰ মুখৰপৰা সেই কথাকেইষাৰ এনে আকাৰ ধৰি ওলাইছিল—"ৱাল্, মাইডিয়েৰ ছাৰ, হাডুইও ডু ? কোটোৱাল।" তেওঁক বাটত 'কলৈ যায়' বুলি কোনোৱে সুধিলে, তেওঁ উত্তৰ দিছিল—"দীননাথ বেজবৰুৱাকা হাউচ, হিন্দু ৰাইবোল্ হিয়েৰ আই গো।" এই কেইষাৰৰ বাহিৰে তেওঁ আন ইংৰাজী কথা একো নাজানিছিল। তেওঁ আহিয়েই আমাৰ ঘৰত এবাটি চাহ খাবলৈ পাইছিল। তেওঁক দেখিলেই আমি লৰি গৈ এটা শিলৰ বাটিত এবাটি চাহ আনি আমাৰ গোসাঁইঘৰৰ চুপতে তেওঁক খাবলৈ দিছিলোঁ। আমাৰ ঘৰত তেওঁৰ এইদৰে চাহ খোৱা সম্বৎসৰব্যাপী অখণ্ডমণ্ডলাকাৰে চলিছিল। তেওঁক চাহ খুৱাই আমিও আনন্দ পাইছিলোঁ, তেওঁ তৃপ্তি লভি খাই উঠি গৈ ভাগৱত শ্ৰৱণানন্দ লভিছিল।

ৰব ৰাবজনীয়া সত্ৰ কাথপাৰ আৰু চুপহা, আৰু সৰু বাৰজনীয়া শলগুৰি সত্ৰ শিৱসাগৰ চুবুৰিপৰা কিছু দূৰতে। এই সত্ৰবোৰৰ আতাসকল মাজে মাজে আমাৰ ঘৰলৈ আহি দেউতাৰ সৈতে দেখা-সাক্ষাত কৰিছিল, আৰু দেউতায়ো তেওঁলোকক যথোচিত আদৰ-সন্মান কৰিছিল। বছৰে বছৰে শলগুৰি সত্ৰৰ তিথিত আমি দেউতাৰে সৈতে ভাৱনা চাবলৈ শলগুৰি সত্ৰলৈ গৈছিলোঁ। সত্ৰৰ অধিকাৰে হাতী পঠিয়াই দি আমাক নিয়াই বৰ আদৰ-সাদৰ কৰি খুৱাই-বুৱাই তেওঁলোকৰ ভাৱনা দেখুৱাইছিল। ভাৱনাত, শলগুৰীয়া আতাই তিনিটা খোল একে সময়তে বজাই সুন্দৰকৈ ঘোষা-কীৰ্ত্তন কৰা মই দেখা মনত আছে। শলগুৰি সত্ৰৰ এজন মেধি আছিল; তেওঁ সততে আমাৰ ঘৰলৈ আহিছিল। নিষ্ঠাৱন্ত ভকত সেই মেধিজনক আমি বৰ শ্ৰদ্ধাৰ চকুৰে দেখিছিলোঁ।

ষষ্ঠ অধ্যায়

পণ্ডিত ৰামকুমাৰ বিদ্যাৰত্ন নামেৰে এজন ব্ৰাহ্মধৰ্ম্ম-প্ৰচাৰক বঙ্গালীয়ে ব্ৰাহ্মধৰ্ম্ম প্ৰচাৰ কৰিবৰ নিমিত্তে অসমৰ জিলায় জিলায় বক্তৃতা দি ফুৰিছিল। বিদ্যাৰত্ন "সাধাৰণ ব্ৰহ্ম-সমাজৰ" প্ৰচাৰক আছিল। তেওঁ স্থূলোদৰ আৰু দীৰ্ঘশ্মশ্ৰু-বিশিষ্ট আছিল। বাস্তৱিকতে তেওঁৰ ডাঢ়িকোছা ইমান দীঘল আছিল যে এহেজাৰৰ ভিতৰত ন-শ নিৰানব্বইটা মানুহৰ মুখত তেনে দীঘল ডাঢ়িৰ হাবি সতকাই বিচাৰি পোৱা নাযায়। হেনো ধুবুৰীতে নে গুৱালপাৰাতে—মোৰ মনত নাই—বিদ্যাৰত্নৰ সুদীৰ্ঘ শ্মশ্ৰুকে লক্ষ্য কৰি, এজন অহোবলিয়া হিন্দুৱে, হিন্দু ধৰ্ম্মৰ বিপক্ষে তেওঁৰ বক্তৃতা শুনি, বক্তৃতাৰ সভাতে থিয় হৈ ভৰিৰে মাটিত গেৰোহনি মাৰি, বিদ্যাৰত্নৰ বক্তৃতাৰ সুৰতে সুৰ মিলাই, হাত-মূৰ জোকাৰি চিঞঁৰি কৈছিল,—"লম্বা লম্বা ডাঢ়ি লইয়া যাঁহাৰা বক্তৃতা কৰিতে আসেন, তাঁহাদেৰ বুকে পদাঘাত। মাথায় পদাঘাত।" শিৱসাগৰৰ ইংৰাজী স্কুল ঘৰতে বিদ্যাৰত্নই ব্ৰাহ্মধৰ্ম্মৰ বিষয়ে বঙ্গলা ভাষাৰে এটা ডাঙৰ বক্তৃতা দিলে। সেই বক্তৃতাৰ পিছত শিৱসাগৰীয়া ডেকা লৰা আৰু স্কুলীয়া ছাত্ৰৰ ভিতৰত এটা উদ্বেগৰ আন্দোলন উঠিল। গতি বিষম দেখি, পিতৃদেৱতাৰ নেতৃত্বত হিন্দু-অভিভাৱকসকল ৰামকুমাৰ বাবুৰ বিপক্ষে থিয় হল। আমাৰ হেডমাষ্টৰ ৺চন্দ্ৰমোহন গোস্বামী "ফিলজফাৰ" মানুহ, কোনো ধৰ্ম্মকে তেওঁ আমোল নিদিছিল। তেওঁৰ ধৰ্ম্ম মাথোন জ্ঞানোপাৰ্জ্জন। তেওঁ দুই পক্ষৰ মাজত যুঁজ লগাই দি ৰং চাবৰ

মনেৰে হিন্দুধৰ্ম্মৰ ফালৰপৰা ব্ৰাহ্মধৰ্ম্মৰ উত্তৰ গাবলৈ, পিতৃদেৱতাৰে সৈতে পৰামৰ্শ কৰি শ্ৰীযুত তুলসীৰাম বৰুৱা পণ্ডিতক তুলি দিবলৈ ঠিক কৰিলে। তুলসীৰাম বৰুৱা শিৱসাগৰৰ নৰ্ম্মাল স্কুলৰ হেড্‌পণ্ডিত আৰু হিন্দুধৰ্ম্মশাস্ত্ৰবিৎ। সংস্কৃততো তেওঁৰ ব্যুৎপত্তি আছিল। অসমীয়া "হেমকোষ" আৰু "অসমীয়া ব্যাকৰণ" ৰচোঁতা সুবিখ্যাত ৺হেমচন্দ্ৰ বৰুৱাৰ তেওঁ ভায়েক। হিন্দুৰ প্ৰাচীন ক্ৰিয়াকাণ্ড আৰু অনুষ্ঠান আদিত তুলসী পণ্ডিত অতি অনুৰাগী মানুহ আছিল। ব্ৰাহ্মণৰ জাত্যভিমানৰ ষোল আনা দাবী তেওঁৰ "আজ্ঞিত" সদায় থাকে। বঙ্গালী ৰামকুমাৰ পণ্ডিতৰ বক্তৃতাৰ সাদিনমানৰ পিছত সেই ইংৰাজী স্কুল ঘৰতে আমাৰ অসমীয়া তুলসীৰাম পণ্ডিতক হিন্দুধৰ্ম্মৰ সপক্ষে এখন ৰচনা পঢ়িবলৈ তুলি দিয়া হল। কোৱা বাহুল্য যে ৰামকুমাৰ বাবু সেই সভাত উপস্থিত আছিল। তুলসীৰাম পণ্ডিতৰ ৰচনা পঢ়াৰ ওৰ পৰিলতে ৰামকুমাৰ পণ্ডিত একেজাপেই উত্তৰ দিবলৈ উঠিল, আৰু লগে লগে সিংহনাদেৰে মেদিনী কঁপাবলৈ ধৰিলে। তেওঁৰ বক্তৃতাৰ চিয়ঁৰে শ্ৰোতা-সকলৰ কাণ তাল মাৰিলে। পণ্ডিত বিদ্যাৰত্নই পণ্ডিত বৰুৱাৰ বক্তৃতাৰ যুক্তি-তৰ্ক কিমান দূৰ খণ্ডন কৰিছিল, কব নোৱাৰোঁ, কাৰণ সেই ফালতকৈ তেওঁৰ চিয়ঁৰ-বাখৰ আৰু হাত-মূৰ জোকাবৰ ফালেহে মোৰ ঘাইকৈ মন আছিল। কেনেকৈ চিয়ঁৰি-বাখৰি, হাত-মূৰ জোকাৰি, কথা ফেনাই ফেনাই কোৱাকে কৈ, বঙ্গালী বক্তাই বক্তৃতা দিয়ে সেইটোহে মই ভালকৈ নিৰীক্ষণ কৰি লৈছিলোঁ, কাৰণ মোৰ বৰ ইচ্ছা হৈছিল, ময়ো যেন তেনেকুৱাকৈ বক্তৃতা দিব পৰা হওঁ। বাস্তৱিকতে, ইয়াৰ পিছত মোৰ ইচ্ছা সফল কৰিবৰ মনেৰে মই অনেক দিনলৈকে, বাটে-পথে হাবিয়ে-বননিয়ে, আৰু ঘাইকৈ বৰ গছৰ তলত থিয় হৈ হাত জোকাৰি, টেটু-ফটা চিয়ঁৰেৰে একেটা শব্দকে একেটা বাক্যকে, তাৰ যিমানবোৰ প্ৰতিশব্দ আৰু অনুৰূপ বাক্য বিচাৰি পাইছিলোঁ সেইবোৰ লগাই দি বক্তৃতা দি ফুৰিছিলোঁ। অৱশ্যে কোৱা বাহুল্য যে বয়োজেষ্ঠসকলক মই অতি সতৰ্কভাৱে দূৰতে পৰিহাৰ কৰি, মোৰে নিচিনা বক্তা-যশ-প্ৰাৰ্থী চেঙেৰা বন্ধু দুজন-চাৰিজনক আৰু মৌনী-শ্ৰোতা তৰু-তৃণ বৃক্ষ-বল্লৰীক লৈহে মোৰ বক্তৃতাৰ বিৰাট সভা সংগঠন কৰিছিলোঁ।

ইয়াৰ পিছত শিৱসাগৰত ব্ৰাহ্মধৰ্মৰ বিপক্ষে অসমীয়া হিন্দু ভদ্ৰলোকসকলৰ ৰাগ-দ্বেষাদি ভাব (feelings) প্ৰবল হৈ উঠিল আৰু তেওঁলোক সংঘবদ্ধ হল। আমাৰ স্কুলত থাৰ্ডমাষ্টৰ শ্ৰীযুত গোপালচন্দ্ৰ ঘোষ যদিও আনুষ্ঠানিক বা দীক্ষিত ব্ৰাহ্ম নাছিল, তথাপি তেওঁ শিৱসাগৰীয়া ব্ৰাহ্মধৰ্ম্মৰ পৃষ্ঠপোষক হৈ উঠিল। তেওঁৰ ঘৰতে দেওবৰীয়া ব্ৰাহ্মসমাজৰ অধিৱেশন হবলৈ ধৰিলে। এই ব্ৰাহ্ম-সমাজৰ অধিৱেশনলৈ কোনো হিন্দু অসমীয়া গ'লেই তেওঁ হিন্দু সমাজৰ দ্বাৰায় দণ্ডিত হৈছিল। পিতৃ-দেৱতা এই বিষয়ত বৰ সজাগ আছিল, আৰু দুই-চাৰিজন ডেকাক সেই দোষত দোষী পাই, তেওঁ দণ্ডও বিহিছিল। এই নিমিত্তে পিতৃদেৱতাৰ প্ৰতি দণ্ডিতসকলৰ আক্ৰোশ জন্মিল। তেওঁলোকৰ ভিতৰত ষড়যন্ত্ৰ চলিল, কেনেকৈ তেওঁলোকে পিতৃ-দেৱতাক জব্দ কৰিব পাৰে। আগেয়ে কৈ আহিছোঁ যে শ্ৰীনাথ ককাইদেও হোজা স্বভাৱৰ লৰা আছিল। চৰ্কাৰী আলিৰ কাষতে গোপাল বাবুৰ ঘৰ। এদিন গোপাল বাবুৰ ঘৰত ব্ৰাহ্মসমাজৰ বক্তৃতা হৈ থাকোঁতে বাটেদি শ্ৰীনাথ ককাইদেও গৈছিল। সঁচা-মিছা কব নোৱাৰোঁ, তেওঁ হেনো কৌতূহলৰ বশৱৰ্ত্তী হৈ বাটৰপৰা এফলীয়া কাটি ক্ষন্তেক থিয় হৈ ব্ৰাহ্মসমাজৰ বক্তৃতাত কাণ দিছিল। এই ৰৌটোকে চৌটো কৰি, দণ্ডিতাগ্ৰজসকলৰ ফালৰপৰা পিতৃ-দেৱতাৰ আগত অভিযোগ উপস্থিত কৰা হল যে তেখেতৰ পুতেক শ্ৰীনাথেই অমুক দিনা গোপাল বাবুৰ ঘৰৰ ব্ৰাহ্মসমাজত যোগ দিছিল। দেউতাই এই অভিযোগ শুনি পুতেকৰ supposed অৰ্থাৎ কল্পিত কাৰ্য্যৰ দ্বাৰায় নিজক অত্যন্ত অপমানিত বোধ কৰি, তেতিয়াই শ্ৰীনাথ ককাইদেওক মাতি আনি ধৰি বেতেৰে ৰৰকৈ কোবাই দিলে। বেচেৰা শ্ৰীনাথ ককাইদেৱে আত্মসমৰ্থনৰ অৰ্থে যি কবলৈ গৈছিল সেই কথা তেওঁৰ মুখতে থাকিল, আৰু বাজ হবলৈ নাপালে। বপুৰাই বিনা দোষতে মাৰ খালে।

বছৰদিয়েকৰ মূৰত ব্ৰাহ্মধৰ্ম্মৰ প্ৰতি গোপাল বাবুৰ নিষ্ঠা উভি গল; তেওঁ ব্ৰাহ্মৰ মোটচো সলাই পেলাই দি আকৌ হিন্দু সমাজত সোমাল। সিফালে কলিকতাত পণ্ডিত ৰামকুমাৰ বিদ্যাৰত্নৰো তথৈবচ। তেওঁ ৰামানন্দ স্বামীয়েই কি আন কিবা এটা "আনন্দ" লগোৱা "স্বামী" নাম লৈ, হিন্দু "গুৰু মহাৰাজ" হৈ বঙ্গদেশত শিষ্য-শিষ্যাণী ভজাই সুখ আৰু সন্মানেৰে জীবিকা উপাৰ্জ্জন কৰিবলৈ ধৰিলে। ৰামকুমাৰ বিদ্যাৰত্নই "উদাসীন সত্য-শ্ৰৱাৰ আসাম-ভ্ৰমণ" নামেৰে এক সুপাঠ্য কিতাপ বঙ্গলা ভাষাত ৰচনা কৰিছিল।

অসমৰ সুযোগ্য সন্তান শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱা আৰু সুবিখ্যাত আনন্দৰাম ঢেকিয়াল ফুকনৰ পুতেক অনুদাৰাম ঢেকিয়াল ফুকনে "বৰুৱাফুকন ব্ৰাদাৰ্ছ" নাম দি গুৱাহাটীত সাউদৰ ব্যৱসায় খুলি-ছিল। শ্ৰীযুত ভোলানাথ বৰুৱা (পিছত বিখ্যাত সদাগৰ বি. বৰুৱা) সেই ব্যৱসায়ৰ কাঠৰ "বিজ্‌নেছ্"

বিভাগৰ মেনেজাৰ আছিল। "বৰুৱা-ফুকন ব্ৰাদাৰ্ছ"ৰ বেহা-বেপাৰ খুব ডাঙৰভাৱে ভাল বকমেই চলিছিল। তেওঁলোকৰ সৰু জাহাজ এখনো আছিল বাস্তৱিকতে য়ুৰোপীয় ধৰণেৰে অসমত বেহা-বেপাৰৰ প্ৰথম পথ-প্ৰদৰ্শক (pioneer) বৰুৱা-ফুকন ব্ৰাদাৰ্ছেই বুলিব লাগে। দুখৰ বিষয় অনুদাৰাম চেকিয়াল ফুকন অকালত কালৰ গৰাহত পৰিল। মাণিকচন্দ্ৰ বৰুৱাৰ জ্যেষ্ঠ ভ্ৰাতা সুবুদ্ধিমান ফটিকচন্দ্ৰ বৰুৱা গৱৰ্ণমেণ্টৰ উচচপদস্থ কৰ্ম্মচাৰী আছিল। তেওঁৰ বিচক্ষণ বুদ্ধি আৰু উপদেশ মাণিকচন্দ্ৰৰ ব্যৱসায়ৰ এটা থাই ধৰণী-স্বৰূপ আছিল। ফটিক চন্দ্ৰ বৰুৱাবো অকালতে মৃত্যু হল। ফটিক বৰুৱাৰ মৃত্যুত অসম দেশৰ যি ক্ষতি হল, সেই ক্ষতি পূৰাব নোৱাৰা। আৰু বাস্তৱিক পক্ষত ফটিক বৰুৱাৰ মৃত্যুৰ পিছৰপৰাই মাণিক বৰুৱাৰ ব্যৱসায়ৰ অৱনতি ঘটিল।

"বৰুৱা-ফুকন ব্ৰাদ্ৰাৰ্ছ"ৰ পৃষ্ঠপোষকতাত সুপণ্ডিত হেমচন্দ্ৰ বৰুৱাই গুৱাহাটীৰ পৰা "আসাম নিউচ" নাম দি সাদিনীয়া ইংৰাজী অসমীয়া বাতৰিকাকত এখন উলিয়ায়। হেমচন্দ্ৰ বৰুৱাৰ কাপৰ গুণত "অসম নিউচে" অতি শীঘ্ৰে ওখ ঠাই অধিকাৰ কৰিলে। সকলোৱে অতি আগ্ৰহেৰে সেই কাকত লৈছিল আৰু পঢ়িছিল। ইয়াৰ আগবেপৰা "আসাম-বিলাসিনী" নামেৰে এখন মাহেকীয়া অসমীয়া বাতৰি কাকত আউনীআটী সত্ৰৰপৰা ওলাই আছিল। আউনীআটি সত্ৰৰ অধিকাৰ অশেষ গুণ-সম্পন্ন প্ৰগাঢ় পণ্ডিত পৰম-বৈষ্ণৱ দত্তদেৱ পুৰুষৰ 'আসাম বিলাসিনী' এটি সুকীৰ্ত্তি। কিন্তু "আসাম-বিলাসিনী"ৰ বাক্য-বিন্যাস প্ৰণালী, বিষয়-নিৰ্বাচন আদি কাৰ্য্যই উঠি অহা শিক্ষিত ডেকা তৰপৰ মন হৰণ কৰিব পাৰিছিল বুলি কব নোৱাৰোঁ। তাত অনেক সময়ত ব্যক্তিগত আক্ৰমণে ঠাই পোৱাত প্ৰাচীনসকলৰ মনতোষে সি যথোচিত সমাদৰৰ ঠাই অধিকাৰ কৰিব পাৰিছিল এনে নহয়। সেই নিমিত্তে তেনেকুৱা দোষবিবৰ্জিত, অথচ ৰসাল ভাষাৰে সুলিখিত বৰ্ত্তমান কালোপযোগী "আসাম নিউচ" ওলালত সকলোৰে মনত হৰ্ষ হল।

"আসাম-নিউচ"খন ভালকৈ পঢ়া যোগে মোক ৰৰকৈ ধৰিছিল। কেতিয়া "আসাম-নিউচ" আহিব মই বাটলৈ চাই থাকোঁ, আৰু এটাইৰে আগেয়ে মই কাকতখন মেলি পঢ়োঁ। পঢ়োঁ বুলিলে ঠিক কোৱা নহয়, গিলোঁ বুলিলেহে ঠিক হব। বাস্তৱিকতে "আসাম-নিউচ" পঢ়ি তাৰ অসমীয়া লিখাৰ গঢ়ৰ কালে ভালকৈ মন দিহে প্ৰথমতে মই অসমীয়া ভাষাত ৰচনা লিখিবলৈ শিকোঁ। "আসাম-নিউচে" নিশ্চয় অসমীয়া ভাষাৰ যুগান্তৰ উপস্থিত কৰিলে।

বৰ দুখৰ কথা, কাকতখন যাইকৈ ৺হেমচন্দ্ৰ বৰুৱাৰ শাৰীৰিক অসুস্থতাৰ নিমিত্তে দীৰ্ঘকাল স্থায়ী নহল। আজিলৈকে "আসাম নিউচ"ৰ নিচিনা কাকত এখন অসমত নোলাল।

অসমৰ গৌৰৱ ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰে তেওঁৰ "চৰ্কাৰী কৰ্ম্ম" জীৱনৰ শেষৰফালে, "আসাম-বন্ধু" নামৰ এখন অসমীয়া মাহেকীয়া কাকত উলিয়াইছিল। সেইকালত কলিকতাবাসী অসমীয়া ছাত্ৰসকলৰ সহায়ত "আসাম-বন্ধু" কলিকতাত ছপা হৈছিল। "আসাম—বন্ধু"ও অসমত অসমীয়া মাহেকীয়া কাকতৰ প্ৰথম পথ-প্ৰদৰ্শক, আৰু সি অসম আৰু অসমীয়া ভাষাৰ প্ৰকৃত বন্ধুৰূপে দেখা দিছিল। "আসাম-বন্ধু"ৰ পাতত বিদ্বান ৺লম্বোদৰ বৰাৰ কাপৰপৰা ওলোৱা "সদানন্দৰ কলাখুমটি", শ্ৰদ্ধাস্পদ শ্ৰীযুত সত্যনাথ বৰাৰ সুন্দৰ কবিতাকেইটি, আৰু বুৰঞ্জীবিজ্ঞ ৰায় বাহাদুৰ সম্পাদক ডাঙৰীয়াৰ "আগৰ দিন, এতিয়াৰ দিন"ৰ দৰে ঐতিহাসিক প্ৰবন্ধবোৰে মোৰ মন ৰৰকৈ আকৰ্ষণ কৰিছিল। দুখৰ বিষয়, "আসাম-বন্ধু"ও সৰহ দিন নাথাকিল। এইটো কবই লাগিব যে অসমীয়া ভাষাৰ মহাৰথীয় "আসাম-নিউচ" আৰু "আসাম-বন্ধু"ৰেই আধুনিক আহিত অসমীয়া গদ্য আৰু পদ্য সাহিত্য সৃষ্টিৰ অৰ্থে spade work, কোৰৰ কাম কৰে, অৰ্থাৎ মাটি কুৰি চহাই দিযে। পিতৃদেৱতাই "আসাম-নিউচ" আৰু "আসাম-বন্ধু" ৰব আগ্ৰহেৰে সদায় পঢ়িছিল। "আসাম-বন্ধু"ত ওলোৱা কোনো কোনোটো ঐতিহাসিক প্ৰবন্ধত থকা খুঁত দেখুৱাই তেওঁ ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়ালৈ চিঠি লেখাও মই দেখিছিলোঁ। মুঠতে ইয়াকে কওঁ যে, অসমীয়া ভাষাত সকলো অসমীয়াৰ মনোৰঞ্জন কৰি, সুললিত, সৰল, ৰসাল অথচ ওখ শাৰীৰ গদ্য ৰচনা যে হব পাৰে, এইটো "আসাম-নিউচ" আৰু "আসাম-বন্ধু"ৱেই প্ৰথমতে দেখুৱালে।

শিৱসাগৰৰ স্কুলত পঢ়াডোখৰ কালত মই পঢ়া-শুনাত চোকা নৰা বুলি কেতিয়াও খ্যাতি নাপাইছিলোঁ। স্কুলীয়া পাঠতকৈ আন আন বাহিৰা বিষয়ত মোৰ বুদ্ধিৰ চোক ওলাইছিল নে নাই কব নোৱাৰোঁ। দেখোঁতাসকলহে তাৰ বিচাৰক; কিন্তু তেনেবোৰ কাৰ্য্যত্বে মই দহৰ সুদৃষ্টিৰেই হওক বা কুদৃষ্টিয়েই হওক আকৰ্ষণ কৰিছিলোঁ, এইটো হলে কব পাৰোঁ। মই যে পঢ়া-শুনাত স্কুলীয়া চোকা-বুধীয়া লৰাৰ লেখৰ বাহিৰত পৰিছিলোঁ, এই কথা নিশ্চয় স্কুল ঘৰটোৰ চালৰ চ'ঙি-বৰুৱা, খাবলি আৰু বেত-সুতৰ গাঁঠিৰে লৈতে হাজাৰ-ডাল খেৰে সাক্ষী কৰলৈ ওলাব, যদি স্কুল-ঘৰটোৰে

সৈতে সেইবোৰ আজিও টিকি আছে। স্কুলৰ বছৰেকীয়া "প্ৰাইজ"ৰে সৈতে মোৰ সম্পৰ্ক গো-মাংস আছিল;—যাখোন এবাৰ, কেনেকৈ কব নোৱাৰোঁ, সজ্ঞানে নহয়, সুস্থ-শৰীৰে নহয়, আৰু আপোন ইচ্ছাত্তেতো নহয়েই (নিশ্চয় by fluke) পঞ্চম শ্ৰেণীতে, মই দৈৱৰ ঠেঁচোকত হাম্‌খুৰি খাই নাইৰা পাছৰা ধানৰ ভাত খোৱা পৰীক্ষকৰ পাছ-বৰ্ণিত পৰি কেনেবাকৈ ভট্‌ং কৰে তৃতীয় হৈ ওলাই সকলোকে অবাক কৰি দিলোঁ। প্ৰাইজৰ দিনা তৃতীয় প্ৰাইজটো মোৰ হাতত পৰিলত মই লাজত অধোবদন হলোঁ। ভাবিলোঁ, দৈৱই পৰিহাস এনেকুৱাকৈয় কৰে। তৃতীয় হবৰ উপযুক্ত ইমান-বোৰ লৰা থাকোঁতে, মোক দৈৱই ঠেলি-হেঁচুকি তৃতীয় কৰি দিবৰ মানেটো কি? মানেটো নিশ্চয় ৰং চোৱা। মূৰ তুলি এবাৰ লাহেকৈ আমাৰ ক্লাছৰ মাষ্টৰজনক সুধিলোঁ, "স্যাৰ, সঁচাকৈয়ে আপোনা-সকলৰ কাৰো ভুলত মোৰ এই বিলাই-বিপত্তি ঘটা নাইনে?" মাষ্টৰে হাঁহি উত্তৰ দিলে, "কাৰো ভুল হোৱা নাই। এইবাৰৰপৰা তুমি ভালকৈ পঢ়িবাঁ।"

স্কুলঘৰৰ বাহিৰত মোৰ বুধিটো আঁকোৱালে নোপোৱা হৈ উঠাৰ, আৰু ভিতৰত খীণাই-শুকাই চেৰেলা হৈ যোৱাৰ অৱশ্যে যে কোনো কৈফিয়ৎ নাই, এনে নহয়। কৈফিয়ৎ অনেক। সকলৰেপৰা মই মুকলি আকাশ আৰু মুকলি বতাহৰ তলত বঢ়া মুকলি-মূৰীয়া লৰা; চাৰি বেৰেৰে বন্ধ ঘৰে, জপোৱা দুৱাৰে, আৰু নিয়ম-কানুনৰ জিঞ্জিৰিয়ে মোক সমূলি নুভজে। স্কুলত অগত্যা বহি থাকোঁতে, এফালে মোৰ মনে মোক ফুচফুচাই সোধে,—"বতাহে তোমাৰে সৈতে উমলিবলৈ তোমাক বাহিৰলৈ মাতিছে; ওলাই নাযাবা কেলৈ?" "ৰ'দে তোমাক বিছিৰাৰ লাগিছে; নোযোৱানে?" "বোলোঁ দেখা নাইনে, আলিবাটৰ গছে তোমাক হাত বাউলি দি মাতি কোলা মেলি ৰহি আছে, ইয়াত বোদ্‌ বোদ্‌ কৰে বহি কৰিছা কি?" "সোৱা চাই পঠিওৱা টোন, তোমাৰ বান্ধৱ দিখৌৱে কেনেকৈ কোনোবা খুবুৰীলৈ বৈ যাব লাগিছে; তোমাৰ দেখোন উৱাধাৰেই নাই?" "ৰৰপুখুৰীয়েও তোমালৈ বুকু পাতি বৈ আছে; তুমি বাক লবাটো দেখিছোঁ; বোলোঁ বেজি কৰিছা কিয়?"—আনফালে দেখিবৰ মন নোযোৱা মাষ্টৰে হাতত কঠুৱা কিতাপ্‌ লৈ মোক সোধে,—"Spell valetudinarian." "What is the masculine gender of heifer?" Where is Podopopol?" "Define gulf-stream." মোৰ দুই নাৱত দুই ভৰি; মই কৰোঁ কি?"

ইয়াৰ উপৰিও আৰু এটা ডাঙৰ কৈফিয়ৎ আছে, যাৰ বিৱৰণ তলত দিলোঁ:—স্কুলীয়া পাঠৰ চৰ্চাতকৈ আমাৰ ঘৰৰ লৰাবোৰৰ, ঘাইকৈ মোৰ ককাইদেও শ্ৰীনাথৰ, ধৰ্মকাৰ্য্যৰ চৰ্চাত অত্যন্ত বেছি সময় ব্যয় হৈছিল। তলত দিয়া আমাৰ দৈনিক কাৰ্য্যৰ তালিকা দেখিলেই এই কথা স্পষ্ট হব।

(১) আমি পুৱা শুই উঠিয়েই নিত্যকৰ্ম্ম কৰি শুচি-সংযম হৈ, দেউতাৰ গোসাঁই-পূজালৈ ফুল তুলিবলৈ ফুলনি-বাৰীত সোমাওঁ। এৰো এৰো দিনা, আমাৰ ফুলনিবাৰীৰ ফুল তুলি শেষ কৰি, উৎসাহৰ কোবত গৈ ওচৰ-চুবুৰীয়াৰ ফুলনি-বাৰীতো সোমাই ফুলনি-বাৰী মহটিয়াই ফুলৰ শৰাধ কৰোঁ; কাৰণ, কুঁকি ভৰাই এককিকৈ ফুল আনিলেহে মোৰ মনে মোক "বাহ্‌ বা" দিয়াটো যেন লাগিছিল। ফুল তোলা হলে, হাত-ভৰি ধুই, স্কুলৰ কিতাপ আগত লৈ বহোঁ; আৰু আগত লোৱা কিতাপ আগতে থাকে, মোৰ মনে ত্ৰিভুবন ভ্ৰমে। সেই কিতাপেৰে সৈতে মোৰ মনৰ সম্বন্ধটো তেল আৰু পানীৰ সম্বন্ধ।

(২) ৯ বাজিলেই, কিতাপৰূপী তেল সামৰি থৈ সৰিয়হৰ তেল গাত ঘঁহি পুখুৰীলৈ যাওঁ, আৰু পুখুৰীৰে সৈতে জলক্ৰীড়া কৰি আহি গোসাঁই-ঘৰ মচিবলৈ সোমাওঁ। হৰি-মন্দিৰ মাৰ্জ্জন পুণ্য কাৰ্য্য; অব্ৰাহ্মণ চাকৰক গোসাঁই-ঘৰত সোমাই সেই কাৰ্য্য কৰিবলৈ দিয়া নহয়।

(৩) মন্দিৰ মাৰ্জ্জন শেষ কৰি, দেউতাৰ পূজাৰ সঁজুলি—তাম্ৰী-অৰ্ঘ্য, থাল, চন্দনৰ খুৰি আদি ধুই-মাজি চাফ্‌ কৰি সেইবোৰ পূজাৰ ঠাইত সজাই থওঁ; জাতি-চন্দন পিহি চন্দনৰ খুৰিত থওঁ।

(৪) ইয়াৰ পিছত গোসাঁই-ঘৰতে বহি পুৱাৰ প্ৰসঙ্গৰ গীত-ভটিমা গাই, তাল লৈ প্ৰসঙ্গ আৰম্ভ কৰোঁ। কুলুপীয়া আৰু ধৰি গোৱা ঘোষা গোৱা শেষ হলে, এজনে কীৰ্ত্তন পুথি মেলি বহি কীৰ্ত্তন দিয়ে। শ্ৰীনাথ ককাইদেৱে তাল লৈ নাম-লগোৱা হলে, কীৰ্ত্তন-ঘোষা দিবলৈ মই বহোঁ। আৰু vice versa অৰ্থাৎ মই নাম লগোৱা হলে তেওঁ কীৰ্ত্তন দিবলৈ বহে। একো একোদিনা আন আন ককাইদেও-সকলেও এই বাব লয়। দুটা কীৰ্ত্তন-ঘোষাৰ অন্তত প্ৰসঙ্গৰ সামৰণি মৰা হয়। প্ৰসঙ্গৰ শেষত কীৰ্ত্তন ঘোষা দিওঁতাজনে ৰত্নাৱলী পুথিৰপৰা সুৰ ধৰি পাঠ পঢ়ে; আৰু অলপ পঢ়ি ওৰ পেলাই, দুই-জনা মহাপুৰুষৰ বা বদলা আতাৰ চৰিত্ৰৰপৰা এটা ঘটনা বা কথা সংক্ষেপকৈ কয়; ইয়াকে চৰিত্ৰ তোলা বোলে। ইয়াৰ পিছত প্ৰসঙ্গ সামৰণি কৰি থাপনাৰ কালে সেৱা কৰা হয়; আৰু আশীৰ্ব্বাদ

দিব জনা এজনে আশীৰ্ব্বাদৰ দীঘল "গৎ" মাতি আশীৰ্ব্বাদ দিয়ে। ইয়াৰ আগেয়ে কোনো কোনো দিনা প্ৰসঙ্গৰ মাজতে দেউতাই পূজা শেষ কৰি নিজেই কীৰ্ত্তন-ঘোষা দিবলৈ বহে।

(৫) পূজা-সেৱা নাম-প্ৰসঙ্গ আৰু আশীৰ্ব্বাদ দিয়াৰ অন্তত উঠি কাঁহ, ঘণ্টা, শঙ্খ, আৰু ডবা থাকিলে ডবা বজোৱা হয়। তৎপশ্চাৎ, তপতে তপতে লৰালৰিকৈ ভাত এগাল গিলি, কাপোৰ-কানি পিন্ধি আমি স্কুললৈ লৰ ধৰোঁহক।

(৬) আবেলি চাৰি বজাৰ পিছত আমি স্কুলৰ-পৰা আহি, স্কুলীয়া অপবিত্ৰ কাপোৰ-কানি সুকীয়াকৈ একালে থৈ দি, পুখুৰীত জোবোৰা মাৰি শুচি হৈ আহি, জলপানত বহোঁ। আমি স্কুলৰপৰা অহাৰ আগেয়েই তিনিমান বজাত দেউতাই বিয়লিৰ প্ৰসঙ্গ কৰে। দেওবাৰৰ দিনা বা যিদিনা আমি স্কুললৈ নাযাওঁ, আমিয়েই সেই প্ৰসঙ্গ সমাপন কৰোঁ।

(৭) জলপান খাই উঠি আমি অলপ পৰ আমাৰ টোলৰ ভিতৰতে ইফাল-সিফাল কৰোঁ; আৰু পাচমান বজাৰ আগতে, দেউতাৰ পুৰাণ-পাঠ নাইবা ভাগৱত-পাঠলৈ আমাৰ ডাক পৰে। আমি চৰাঘৰৰ মাজতে ঠাই মচি, পুথি আনি ঠগাত সজাই থৈ, আসন পাৰি দি শ্ৰোতা-শ্ৰেণীভুক্ত হওঁ। এই "আমি"ৰ বহুবচনত, মাথোন বাহিৰৰ দুই-এজন শ্ৰোতাৰে সৈতে মোক আৰু শ্ৰীনাথ ককাইদেওক লৈ সিদ্ধ হৈছিল।

(৮) সন্ধ্যা লাগি অহাৰ সময়ত পুৰাণ বা ভাগৱত পাঠ বন্ধ হয়, আৰু আমি ভৰি-হাত ধুই লৰি গৈ গোসাঁই-ঘৰত বন্তি লগাই, শঙ্খ, ঘণ্টা, ডবা, কাঁহ বজাবলৈ ধৰোঁ; আৰু পিতৃদেৱতায়ো সেই কাৰ্য্যত যোগ দিয়ে। শঙ্খ-ঘণ্টা বজোৱাৰ অন্ততে, মুখে মুখে স্তোত্ৰ পাঠ কৰি, সকলোৱে আঁঠু কাঢ়ি থাপনাৰ কালে সেৱা কৰোঁহক। ইয়াৰ পিছত দেউতা ওলাই আহি ইফালে-সিফালে অলপ ফুৰিবলৈ যায়; আৰু আমি—

(৯) গুণমালা-ভটিমা গাবলৈ বহোঁ। গুণ-মালা-ভটিমা গোৱাৰ পিছত, আমি লৰাবোৰে লৰা-নাম গাবলৈ বহোঁ, আৰু এঘণ্টামানৰ পিছত সেই নাম শেষ কৰি, উঠি আহি,—

(১০) পঢ়িবলৈ কিতাপ মেলি লওঁ। কিতাপ আগত লৈ কোনোৱে অলপ-অচৰপ পঢ়ে, কোনোৱেবা কলমটিয়ায়, আৰু কোনোৱেবা, কিছুমান বেলিৰ পিছতে, কিতাপৰ ওপৰতে, তেল-বিয়নী কৰি থোৱা মূৰটো থৈ, হাঁহ-শোৱাদি পঢ়া-শুনাৰে সৈতে চানি-বাজি কৰে।

(১১) ৰাতি ১০মান বজাত আমি গা ধুবলৈ যাবলৈ বাহ্নি-ঘৰৰপৰা খবৰ আহে। আমি বুকুৰ বান্ধি লৈ বহি থকা দুই বন্ধু টোপনি আৰু এলাহত অতি কষ্টে বিসৰ্জ্জন দি, পঢ়া-ঠাইৰপৰা উঠি গৈ, জাৰেই হওক বা জহেই হওক, পানী তপতেই হওক বা চেঁচাই হওক, হৰ হৰ কৰে গাত ঢালি দিওঁ, আৰু সেহাই কোঁপাই গা মচি, ধুতি-চুৰিয়া পিন্ধি, গোসাঁইঘৰ সোমাই, তাল লৈ ৰাতিৰ প্ৰসঙ্গ আৰম্ভ কৰি দিওঁ। ৰাতিৰ প্ৰসঙ্গত নাম-লোৱা ভকতৰ লেখ সৰহ হয়। পুৰাৰ দৰেই, দেউতাই বা আন এজনে, কীৰ্ত্তন ঘোষা মেলি কীৰ্ত্তন দিয়ে আৰু অন্তত পাঠ পঢ়ি আৰু চৰিত্ৰ তুলি প্ৰসঙ্গ শেষ কৰে।

(১২) ইয়াৰ পিছত ৰাতিৰ সাজ ভাত খাবলৈ মজিয়াত বহা হয়। ভাত খাওঁতাসকলেৰে মজিয়া প্ৰায় ভৰি পৰে।

(১৩) ভাত খাই উঠি আমি আকৌ ৰবে-সকৰে মিলি গোসাঁই-ঘৰৰ টুপত শেহ-নাম গাবলৈ বহোঁ। সেই নাম সমাপন কৰোঁতে ৰাতি এঘাৰ-বাৰ বাজে। এইখিনিতে কোৱা যাওঁক যে, যদিও আমাৰ চৰাঘৰত সদায় ডাঙৰ ঘড়ী এটাই টিক্ টিক্ কৰে গৈ আৰু ঢং ঢং কৰে বাজি তাৰ কৰ্ত্তব্য কৰি গৈছিল, তথাপি তাক আমাৰ খোৱা বোৱা আদিৰ সময়ত হস্তক্ষেপ কৰিবলৈ নিদিছিলোঁ। তাক আঁৰি থৈছোঁ, খাবলৈ "দম" দিছোঁ, বচ্! আৰু সি কিবা বিচাৰিলে শুনিব কোনে?

(১৪) ইয়াৰ পিছত দেউতাই অলপ ভৰি চলাই, ঘোষা গাই গাই আহি বৰ-ঘৰৰ টুপৰ মুকলি খোটালি এটাত শোৱে। জাৰকালি হলে দেউতাৰ চালপীৰাৰ ওচৰতে আফিঙৰ বহল পেৰা এটাত মাটি জুহাল কৰি লোৱা হয়, আৰু কাষতে দুজন-চাৰিজন ভিতৰুৱাল মানুহ আহি বহি জুই পুৱায়। সেই সময়ত দেউতাৰ ভৰিত লগুৱা এটাই তেল-টেঙা ঘঁহে আৰু ভৰি পিটিকে; আৰু মইেই বা শ্ৰীনাথ ককাইদেৱে মহা-ভাৰত বা ৰামায়ণ মেলি লৈ জাত লগাই পঢ়িবলৈ বহোঁ। মোৰ পুথি পঢ়া দেউতাই শুনিবলৈ ভাল পাইছিল দেখি, সেই ৰাবটো মোৰ গাত ৰবকৈ পৰিছিল। পুথি শুনি থাকোঁতেই দেউতাৰ চিল্-মিল্‌কৈ টোপনি আহে, আৰু সেই টোপনি গভীৰ হোৱা আমি গম পালেই, আৰু যদি সেই কাকতালীয়-সংযোগ ঘটি পুথিৰো একাধ্যা পৰে, তেন্তে নাহেকৈ পুথিখন সামৰি থৈ শুবলৈ যাওঁ। কেতিয়াবা এনে সংযোগৰ সুবিধা লব খোজোঁতেই, দেউতাই "তাৰ পিছত" বুলি মাত লগাই বল-ভঙ্গ কৰি দিয়ে; আৰু

মনে মনে কপালকে দুষি আকৌ একাধ্য়া পঢ়িবলৈ আৰম্ভ কৰিবলগীয়াত পৰোঁ। আচৰিত মানিব-লগীয়া কথা যে নাম-প্রসঙ্গ পূঁজা-সেৱাৰ এনে ধুমেও আমাক নাচিছিল। ইয়াৰ উপৰিও আমি ন'বাবোৰে আমাৰ পুখুৰী পাৰতে ফুলনি-বাৰীৰ মাজত সৰু (toy) গোসাঁই-ঘৰ এটা সাজি লৈছিলোঁহক ; আৰু তাতো ডাঙৰ গোসাঁই-ঘৰৰ সমানে সমানে জোৰ মাৰি নাম-প্রসঙ্গ পূজা-সেৱা চলাইছিলোঁহক। সেওবাবে বা আন কোনোদিনা কোনো পৰ্ব্বোপলক্ষত স্কুল বন্ধ হলে, মই সময় পালেই অসমীয়া পুথি নকল কৰিছিলোঁ। ডাঠ তুলাপাত কাটি পুথিৰ পাত কৰি তাক হাইতালেৰে বোলাই লৈ, কুট দি সমানকৈ শাৰী কাটিবলৈ বাঁহৰ চলি এচটা কাটি কুট দি শাৰী কাটিলৈ, আৰু গৰুৰ মুত, শিলিখা, আৰু লোহোৰাৰ ছাইৰে মচী প্রস্তুত কৰি লৈ মই পুথি লেখিছিলো। শ্রীশঙ্কৰ-বিৰচিত একাদশ স্কন্ধ আৰু দ্বাদশ স্কন্ধ ভাগ-ৱত পুথি দুখন মই সম্পূর্ণকৈ লেখি পুথি থবলৈ নিজ হাতে কাঠৰ পেৰা দুটা কৰি তাত পুথি দুখন থৈছিলোঁ সেই পুথি দুখন সম্ভৱতঃ এতিয়াও আমাৰ শিৱসাগৰৰ ঘৰত আছে। এনে অৱস্থাৰ অভ্যন্তৰত থাকিওযে মই বগুৱা বাই এণ্ট্রেন্স ক্লাছ পাইছিলোঁগৈ সেইটোহে আচৰিত। কোনে প্রচাৰ কৰি দিছিল কব নোৱাৰোঁ, তেতিয়া শিৱসাগৰত প্রায় সকলোৰে মনত এনে ধাৰণা আছিল, যে ছাত্ৰৰ এণ্ট্রেন্স ক্লাছত দুবছৰ থাকিলেহে সি allow হবলৈ অর্থাৎ এণ্ট্রেন্স পৰীক্ষা দিবলৈ যাবৰ যোগ্য হয়। এনে বিশ্বাসৰ বশৱৰ্ত্তী হৈয়েই সেই কালত প্রায়বোৰ ছাত্ৰে এণ্ট্রেন্স ক্লাছত উঠিয়েই, এবছৰলৈ পঢ়া-শুনাৰ গুৰি-বঠাখন এৰি দি, বং-ধেমালিত উটি গৈছিল। বাস্তৱিকতে সেই দেখিয়েইহে এবছৰীয়া ছাত্ৰ allow নহৈছিল। একেই মই বুঢ়ী নাচনিয়াৰ, তাতে যেতিয়াই এণ্ট্রেন্স ক্লাছত উঠি এই নাতিনীৰ বিয়া দেখিলোঁ, মোক আৰু পায় কোনে ? মোৰ পঢ়া-শুনাই মোক্ চা মোক্ চা কৰি ডেও দিবলৈ ধৰিলে ; আৰু মই মোৰ কিতাপ-পত্রবোৰ বৰ-চাঙত তুলি থৈ দি নিশ্চিন্ত হলোঁ। ফলত সম্পূর্ণ এবছৰ মোৰ নপঢ়া-নুশুনা নামৰ ৰূপহী মদাৰ জোপা জকমকীয়া হৈ ফুলিল, তল ভৰি সৰিল, আৰু গুৰু-ভকত ক'তো তাৰ ফুল এপাহো নালাগিল।

দ্বিতীয় বছৰ মই ঘুঁৰলি কান্ধত ললোঁ। পণ্ডিত হবৰ মনে "ছেকেণ্ড্ লেংগুইজ" সংস্কৃত ললোঁ। আমাক সংস্কৃত পঢ়োৱা পণ্ডিতজনৰে সংস্কৃতত পৈণত আছিল, এনে মনে নধৰে। মই তেওঁৰ তলত সংস্কৃত পঢ়িবলৈ ধৰিলোঁ ; মোৰ বিদ্যাৰ "দৌৰ" দেখি তেওঁ আশ্বস্ত হল, আৰু ময়ো ভাবিলোঁ যে মই খুব সংস্কৃত শিকিলোঁ। কিন্তু দুখৰ কথা কি কম, জানবোৰ বিষয়ত চুচৰি-বাগৰি "পাছ" হৈও, সংস্কৃতত দিলোঁ মাৰি ডাঙৰ "ফেল"। অথচ মই ভাবিছিলোঁ যে সংস্কৃতত মই এজন মহামহোপাধ্যায় হৈ উঠিছিলোঁ।

এইবাৰ মোৰ লগৰীয়া জনচেৰেক এণ্ট্রেন্স পৰীক্ষাত উঠি কলিকতাত পঢ়িবলৈ গল ; আৰু মই থাকিলোঁ দাঁত চেলাই পৰি। মনত এনে ধিক্কাৰ লাগিল আৰু কি কম। দৃঢ় সংকল্প কৰিলোঁ, যে অহা বছৰত মই ভালকৈ মন দি পঢ়ি এণ্ট্রেন্স পৰীক্ষাত উঠিমেই উঠিম। আমাৰ ঘৰত পঢ়িবলৈ বহিলে নানা বাধা-বিঘিনি ওলাই মোৰ মন বিক্ষিপ্ত কৰে, সেইদেখি মই মনক এশিকা দিবৰ নিমিত্তে, আমাৰ ঘৰৰ ওচৰতে থকা বাজহুৱা নাম-ঘৰত মনে মনে বহি পঢ়িবলৈ থিৰ কৰিলোঁ। এই নাম-ঘৰৰ কথা মই আগেয়ে কৈছোঁ। বাজহুৱা পূজা-সবাহৰ সময়ত নাম-ঘৰটো সাৰি মচি পৰিস্কাৰ কৰা হয়, নতুবা সি নিৰ্জ্জন নিস্তব্ধভাৱে থাকি উদভীয়া গৰু-ঘোৰাৰ বাহ হৈ পৰে। মই নাম-ঘৰটোৰ ভিতৰৰ চুক এটাৰপৰা একাঁঠুৰা গোবৰ জাবৰ নিজ হাতে সাৰি আঁতাই লৈ, তাতে স্বহস্ত-গ্রথিত কলাঠছৰাৰ কঠ এখন পাৰি লৈ বহি পঢ়িবলৈ আৰম্ভ কৰিলোঁ। পুৱায় কাউৰীয়ে কা কৰোঁতেই উঠি, আগৰ দৈনিক সকলো কাৰ্য্য কাতি কৰি থৈ মই নাম-ঘৰত পঢ়িবলৈ সোমাওঁ ; ঘৰত মোক কোনেও চকুত বাটি দিবলৈকো দেখা নাপায়, আৰু স্কুললৈ যাবৰ সময়ত ওলাই গৈ লৰালৰিকৈ গা ধুই, নমো নমোকৈ সন্ধ্যা সামৰি, চকুৰে-কাণে ভাত এগাল গুজি স্কুললৈ লৰ ধৰোঁ।

শঙ্কৰ মেতোৰৰ গাড়ীৰ কথা আগেয়ে কৈ আহিছোঁ। সি "ৰাতাৰাতি" যেনেকৈ ডাঙৰ মানুহ হৈ উঠিছিল, তেনেকৈ "ৰাতাৰাতি" আকৌ ফকিৰ হল। দৈৱদুৰ্ব্বিপাকত তাৰ গাড়ী-ঘোৰা সকলো নাইকিয়া হল, আৰু মৈণীয়েকেও তাক এৰি গুচি গল। মনৰ বেজাৰত শঙ্কৰ আধা-বলিয়া হৈ ফকিৰ হল। তাৰ হাতত সম্বল এখন ফটা কম্বল, আৰু এটা ডাঙৰ চিলিম বল। সি একো একোদিনা, আহি নাম-ঘৰৰ ওচৰতে আমাৰ বাটচৰাত ভাং খাই পৰি থাকিছিলহি। মোক সি নাম-ঘৰত সেইদৰে সোমাই থকাটো লক্ষ্য কৰি থাকি ভাবিলে, মই নাম-ঘৰৰ কোনো এজনা "দেও"। এদিন সি অতি সন্তৰ্পণে গৈ মোৰ আগত দীঘল দি পৰি হাত যুৰি মোক স্তুতি কৰিবলৈ ধৰিলে। মই অবাক। তাৰ তেনে ব্যৱহাৰৰ মানে মই তাক সুধিলত, সি মোক যি কলে, সেই কথা শুনি মোৰ হাঁহিত পেটুনাড়ী ছিগিবলগীয়া হল। সি কিন্তু তাৰ বিশ্বাসত অটল। তাৰ ভুল ভাঙিবৰ চেষ্টা কৰিও মই

অকৃতকাৰ্য্য হলোঁ। লাহে লাহে সি নাম-ঘৰত "দেও" দেখা পোৱা কথা সকলোৰে আগত প্ৰকাশ কৰি দিলে, আৰু মোৰ পাঠ-প্ৰকোষ্ঠৰ গুপ্তৰহস্য ভেদ হল। মাতৃদেৱীয়ে এদিন মোক শঙ্কৰৰ সেই কথা উলিয়াই হাঁহি হাঁহি কলে, 'বাৰু ভাল হৈছে, তই ভালকৈ মন দি নাম-ঘৰতে পঢ়, তোক বেলেগেও মাতি-বুলি আমনি কৰিবলৈ নিদিওঁ।' যি হওক, সেই বছৰতে (খ্ৰীষ্টাব্দ ১৮৮৬) শঙ্কৰ মেতোৰৰ দেৱতাই দ্বিতীয় বিভাগত এণ্ট্ৰেন্স পৰীক্ষা "পাছ" কৰিলে। মোৰে সৈতে মোৰ সহপাঠী, ডিব্ৰুগড়ৰ বৰুৱাৰ পুতেক চন্দ্ৰশেখৰ বৰুৱা, আৰু হেড্‌মাষ্টৰ চন্দ্ৰমোহন গোস্বামীৰ পুতেক শুভ্ৰেন্দুমোহন গোস্বামীও দ্বিতীয় বিভাগত উত্তীৰ্ণ হল। সেই কালত আজি-কালিৰ দৰে প্ৰথম বিভাগত সৰহ, দ্বিতীয় বিভাগত তাতকৈ তাকৰ, আৰু তৃতীয় বিভাগত তাতোকৈ তাকৰ লৰা "পাছ" হোৱা দেখা নগৈছিল। তেতিয়া প্ৰাসক্ৰমে ইয়াৰ ওলোটা প্ৰকাৰে প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিভাগত ছাত্ৰৰ উত্তীৰ্ণ হোৱাটোহে প্ৰচলিত ৰীতি আছিল।

ইয়াৰ পিছত মোক কলিকতাত পঢ়িবলৈ পঠিওৱাৰ কথা লৈ বিষম সমস্যা উপস্থিত হল। দেউতাৰ ইচ্ছা নাই যে তেওঁ কলিকতাত আৰু এটা লৰাক পঢ়িবলৈ পঠিয়াই হেৰুৱায়, কাৰণ, তেওঁৰ মতে আগৰ দুটা লৰাক কলিকতাত পঢ়িবলৈ পঠিয়াই, তেওঁ একৰকম হেৰুৱাইছিল। দেউতাৰ ইচ্ছা, মই অসমতে ওকালতি পৰীক্ষা দি শ্ৰীযুত কালিপ্ৰসাদ চলিহাৰ দৰে উকীল হওঁ। মোৰ কিন্তু প্ৰবল ইচ্ছা যে মই কলিকতাত পঢ়োঁ। মোৰ ইচ্ছাৰ প্ৰধান সমৰ্থক মই দুজন ককাইদেওক পালোঁ—শ্ৰীযুত গোবিন্দ আৰু শ্ৰীযুত বিনন্দ —শ্ৰীযুত বিনন্দ ককাইদেৱে মোৰ বাট-খৰচৰ নিমিত্তে ধন যোগালে। শ্ৰীযুত গোবিন্দ ককাইদেও তেতিয়া গোলাঘাটত আছিল, তেওঁ শিৱসাগৰলৈ আহি, মোক কলিকতালৈ পঠিয়াবলৈ দেউতাক বৰকৈ আমনি কৰিবলৈ ধৰিলে। অন্তত মোৰ কলিকতালৈ যোৱাই থিৰাং হল।

সপ্তম অধ্যায়

কলিকতাৰ কালীঘাটত থাকি মোৰ পঢ়িবৰ দিহা হল। কালীঘাটত হাল্‌দাৰ উপাধিকাৰী বঙালী বামুণ এঘৰত মোৰ নিবাসস্থান থিৰ কৰা হল। এনে বন্দবস্তৰ মানে—যাতে মই অসমীয়া ছাত্ৰৰ "মেছ"ত থাকি জাত-ৰূপে মোত অৱতাৰ হোৱা পিত্তটিক বধ কৰিব নোৱাৰোঁ। মই কলিকতালৈ যাত্ৰা কৰাৰ আগতে পিতৃদেৱতাই মোক মাতি আনি ওচৰতে বহুৱাই অনেক সজ উপদেশ দিলে। মই কেনেকৈ নিতৌ গঙ্গাস্নান, সন্ধ্যা, আহ্নিক আদি কৰি আৰু খাইকৈ নাম-প্ৰসঙ্গ কৰি চলিব লাগিব, আৰু কেনেকৈ স্বাস্থ্য ৰক্ষা কৰিব লাগিব, কোন নৰিয়াত কি দৰব খাব লাগিব ইত্যাদি কথা তেওঁ তন্নতন্নকৈ কৈ সেইবোৰ মোৰ হতুৱাই "নোট-বুক" এটাত লেখাই দিলে। সেই মূল্যবান "নোটবুক"টো আজিও মোৰ হাতত আছে। বেজাৰৰ কথা যে তাত থকা উপদেশবোৰৰ সৰহখিনি মোৰ পক্ষে dead letter অফিচত মৰা-চিঠিৰ মৰা শব নিচিনা হৈ পৰি আছে মাথোন। মই কলিকতালৈ যাত্ৰা কৰি ওলালোঁ। মোক কলিকতাত দিহা-পোহা লগাই থৈ আহিবলৈ মোৰ লগতে ককাইদেও এজনো ওলাল।

আমি দুয়ো কলিকতা পাই, প্ৰথমতে শাল্‌কিভাঙ্গা নামৰ ঠাইত অসমীয়া ছাত্ৰৰ মেছ এটা বিচাৰি উলিয়াই তাতে উঠিলোঁ। এদিন এৰাতি সেই মেছতে বাস কৰি, পিছদিনা কালীঘাটৰ হালদাৰৰ ঘৰ পালোঁগৈ। আগেয়ে কেতিয়াও মই লোকৰ ঘৰত আলহী হৈ থকা নাছিলোঁ। সেই দেখি যদিও হাল্‌দাৰৰ ঘৰত মই paying guest অৰ্থাৎ গাঁঠিৰপৰা ধন দি ভাত খাই থকা আলহী হলোঁ, আৰু হাল্‌দাৰ পৰিবাৰে মোক সুখে-সন্তোষে ৰাখিবলৈ যত্ন কৰিছিল, তথাপি প্ৰথমতে বঙালীৰ ঘৰত অচিনাকি আম্লা-ভাতে মোৰ মনত বৰকৈ পীড়া দিবলৈ ধৰিলে। যেতিয়াই দুডাল-চাইডাল মৰিচা শাকৰ ঠাৰি, এচিৰা কি দুচিৰা ছাজনাগুটিৰ ডোখৰ-চেৰেকেৰে চৰ্চ্চৰীয়া, এহেতা মগুমাহৰ পানী, আৰু ক্ষুদ্ৰ এটুকুৰা মাছেৰে সৈতে মচলা দি ক'লাকৈ ৰন্ধা মাছৰ আম্লা আগত লৈ ভাতৰ পাতত বহোঁ, তেতিয়াই মোৰ ঘৰলৈ মনত পৰি চকুৰ পানী ওলায় আৰু জলা আম্লাই সেই পানীত পোহ দিয়ে। মোৰে সৈতে ৰাহি-ষোৰা নহা এনে আহাৰে ৰুগীয়া মোক দুই চাৰিদিনতে আৰু ৰুগীয়া কৰি পেলালে। মই সুৰেন্দ্ৰ বাবুৰ বিপন কলেজত নাম লগাইছিলোঁ। দিনৌ ট্ৰেমগাড়ীত উঠি মই কালীঘাটৰপৰা মিৰ্জ্জাপুৰ ষ্ট্ৰীটৰ বিপন কলেজলৈ পাৰি দিবলৈ ধৰিলোঁ। সেইকালত ট্ৰেম গাড়ীক ঘোৰাইহে টানিছিল; আজি-কালিৰ দৰে বিজুলীয়ে নহয়। একোপেটকৈ ভাত খাই ডেৰ-গুণ গধুৰ হোৱা এট্ৰেম যাত্ৰীক এহাল ঘোৰাই প্ৰাণকাতৰে হেকেৰ্‌-পেকেৰ্‌কৈ টানি, কলিকতাৰ অফিচ, কাছাৰী, স্কুল, কলেজৰ কাষত উলিয়াই দিয়া কাৰ্য্য সম্পাদনত, ঘোৰা আৰু যাত্ৰী দুই পক্ষ সমানে ভাগৰিছিল। ঘোৰাই বুলিছিল,—"সক্ষ লাৱত ধৰ ভৰা। মহাপ্ৰভু ৰক্ষা কৰা ॥"

যাত্রীয়ে বুলিছিল, "হে প্রভু! আজি অকিচত ৰবছাহাবৰ হাতৰপৰা ৰক্ষা কৰা।" আৰু স্কুল-কলেজৰ ছাত্ৰে বেজাৰকৈ বুলিছিল—"আজি ক্লাছৰ হাজিৰাত আমাৰ 'পার্ছেণ্টেজ' গল!"

মোক কলিকতাত পঢ়িবলৈ পঠোৱা-নপঠিৱা হেন্দাৰে মোক কলেজত ভৰ্ত্তি হোৱাত অনেক দিনৰ পিছ পেলাই দিছিল। কলেজৰ ক্লাছত বহি দেখিলোঁ যে কলেজৰ প্রফেছৰে দিয়া ক্লাছ লেক্‌চৰ follow কৰাটো মোৰ পক্ষে অসাধ্য ব্যাপাৰ; অর্থাৎ কলেজৰ অধ্যাপকে ছাত্ৰক পঢ়াই গৈ প্রায়বোৰ কিতাপৰ মাজ-ছোৱা নাইবা শেহ-ছোৱা পালেগৈ, অথচ মই গুৰিতে। মই পাঠ্য পুস্তকৰ দেশলৈ যাবলৈ গৰুৰ গাড়ী এখনত উঠিছোঁ মাথোন আৰু সিকালে অধ্যাপকে আনবোৰ ছাত্ৰক লগত লৈ ৰেলৰ ডাক গাড়ীতে উঠি ভোঁ-ভোঁ কৰে লৰিছে। নৈৰাশ্যেৰে মোৰ মন পূৰ হৈ পৰিল। আনফালে মোৰ গাটোও বেয়া লাগিবলৈ ধৰিলে। কঁটীয়া মাহেৰে এমাহমান এইদৰে অননুকূল অৱস্থাৰ সৈতে যুঁজি থাকি মই শ্যোট্‌মোট্ খাই পৰিলোঁ। মনত বৰ বিচাট্‌ লাগিল। ভাবিলোঁ, মোৰ কলিকতাত পঢ়াসোপা আৰু হল। এতিয়া ঘৰৰ লৰা ঘৰলৈ উভতি যাব পাৰিলেই মঙ্গল। মোৰ লগৰীয়া ককাইদেওজনক সকলোবোৰ দুখৰ কথা ভাঙি কৈ ঘৰলৈ উভতি যাবৰ ইচ্ছা প্ৰকাশ কৰিলোঁ। তেওঁ মোৰ দুৰৱস্থাৰ গঢ়-গতি সোপাকে লক্ষ্য কৰি আছিল, গতিকে তেৰেঁ। সেইটোকে সমীচীন বিবেচনা কৰি, সেই কথা জনাই পিতৃদেৱতালৈ টেলিগ্ৰাফ্ কৰিলে। পিতৃদেৱতাৰপৰা ততালিকে আমাক উভতি যাবলৈ আদেশ দিয়া উত্তৰ আহিল। সেইদিনাই কলিকতাক নেওচা দি আনন্দ মনেৰে আমি দুয়ো শিয়ালদহৰ ৰেলগাড়ীত উঠিলোঁগৈ। সেই কালত "আসাম বেঙ্গল ৰেল" নাছিল। যাত্ৰাপুৰ-কাওনিয়াইদি সৰু ৰেল, সৰু জাহাজত উঠি আমি ধুবুৰী পালোঁগৈ। ধুবুৰীত তেতিয়া পিতৃদেৱতাৰ নাতিয়েক পূৰ্ণানন্দ ছোট ছাহাব হাকিম হৈ আছিল। দেউতাই তেওঁলৈ মোৰ বিষয়ে টেলিগ্ৰাফ দি থৈছিল; সেইদেখি আমি ধুবুৰী-ঘাট পালতে তেওঁ আমাক নিয়াই তেওঁৰ ঘৰতে ৰাখিলে। মোৰ গাৰ ৰোগতকৈ মনৰ ৰোগেহে মোক বেছি পীড়া দিছিল; আৰু কলিকতা এৰি আসাম-মুৱা হলতে সেই ৰোগ অন্তৰ্দ্ধান হল; সেই দেখি পূৰ্ণানন্দ ককাইয়ে মোক চিকিৎসা কৰাবৰ দিহা কৰোঁতেই মই মোৰ গা ভাল পাইছোঁ বুলি কৈ সেই দিহা veto অৰ্থাৎ বদ কৰিলোঁ। তিনি-চাৰিদিন তেওঁৰ ঘৰতে থাকি আমি ডাক-জাহাজেৰে শিৱসাগৰৰ ফালে উজাবলৈ ধৰিলোঁ। মোৰ লগৰীয়া ককাইদেওজনে গোলাঘাট গৱৰ্ণমেণ্ট কাছাৰীত কাম কৰিছিল, সেই দেখি তেওঁ নেমেৰীটিঙত নামি গল। মই পিছদিনা দিচাংমুখ পালোঁগৈ। দিচাংমুখৰপৰা শিৱসাগৰ ছহৰ আঠ-ন মাইলমান দূৰ। সেইডোখৰ বাট মই খোজ কাঢ়িয়েই গলোঁ, কাৰণ মই যে সেইদিনাই দিচাংমুখ পামগৈ সেই বাতৰি দেউতাই নাজানি মোক জাহাজ-ঘাটৰপৰা নিবলৈ ঘোঁৰা পঠিৱা নাছিল। আজি-কালিৰ কথা কব নোৱাৰোঁ, সেই কালত ঘোঁৰা বা হাতীৰ বাহিৰে আন যানৰ কথা শিৱসাগৰীয়াই ভাবিবই নোৱাৰিছিল। ৰৰ ৰ'দ। খোজ কাঢ়ি যাওঁতে যাওঁতে ভাগৰি বাটৰ কাষৰ পুল এটাৰ ওপৰত বহিছিলোঁ। এখেন্তকমান বহি আছোঁ, এনেতে দিচাংমুখৰ ফালে খোজ লোৱা বঙালী বাবু এজন মোৰ কাষ চাপি অহা দেখিলোঁ। বাবুজনে মৰম পতিয়াই মোক সুধিলে "মশায় কি কলিকাতা থেকে এসেছেন?" মই "আজ্ঞে হা" বুলিলত, তেওঁ কলে—"বোধহয় বড় ক্লান্ত হয়ে পড়েছেন। শিৱসাগৰে যদি আৰ কেউ আপনাৰ পৰিচিত লোক না-থাকে তাহলে আপনি বাবু অক্ষয় কুমাৰ ঘোষ বলে একজন বাঙ্গালী উকীল আছেন, তাঁৰ বাসায় গিয়ে উঠবেন। অক্ষয় বাবু বৰ সদাশয় ব্যক্তি। বাঙ্গালীদেৰ জন্য তাঁৰ অবাৰিত দ্বাৰ।" মই বাবুজনক ধন্যবাদ দি উঠি আকৌ খোজ ললোঁ। কোৱা বাহুল্য যে বাবুজনে মোক বঙালী বুলি ভ্ৰম কৰিছিল। যি হওক, সন্ধ্যা লাগি ভগাৰ সময়ত মই আমাৰ ঘৰত ওলালোঁগৈ। মোক দেখি দেউতা আৰু আই আনন্দত বিহ্বল হল। তেওঁলোকৰ হেৰোৱা লৰাটো তেওঁলোকে আকৌ পালে। দেউতাই লৰি গোসাঁই-ঘৰলৈ গৈ গোসাঁইক সেৱা কৰি কৃতজ্ঞতা জনালে।

এইদৰে মোৰ কলিকতাত পঢ়াৰ প্ৰথম পৰ্ব্বৰ ওৰ পৰিল। ইয়াৰ পিছত "টহলৰাম শৰ্ম্মা" হৈ তিনিমাহ শিৱসাগৰত টহলি কটালোঁ। আয়ে ৰান্ধি দিয়া ভাত খাওঁ, যতনাই দিয়া জলপান ৰজাওঁ, টৌ টৌ কৰি ঘূৰি ফুৰোঁ, মেল মাৰোঁ আৰু ঘুমটি মাৰোঁ। ওকালতি পঢ়া-ফঢ়া জহৰ্মামে গল। কাছাৰীত কুৰি-টকীয়া চাকৰীত সোমাবলৈ বা এপ্ৰেণ্টিছ্ হবলৈকো শৰ্ম্মা একেবাৰেই নাৰাজ। গতিকে ওপৰত লেখ দিয়া কামকেইটাৰ বাহিৰে টহলৰাম শৰ্ম্মাই কৰে কি? ভাগ্যে সকলো কথাৰে এটা অন্ত থকাটো বিধতাই কৰি দিছিল; সেই দেখি মোৰো এনে হেদাণ্ডি মেলা জীৱনৰ অন্ত নাথাকি যায় কলৈ? তাৰ অন্ত ওলাল। কৰ্ম্মনাশাৰ পানী পি পি মোৰ নিকৰ্ম্মা দিনবোৰৰ পেট চকা-ডিঙৰা লাগিল। মোৰ মন আকৌ নৰিয়াত পৰিল। ভাবিলোঁ অলপ অসুবিধা ভোগ কৰিয়েই নপঢ়ি কলিকতা এৰি গুচি আহিলোঁ। মই গৰম নে কৰম? এনে হলে দেখোন মই এই সংসাৰত একোকে কৰিব

নোৱাৰিম। Better late than never—"সজ কাম নকৰাতকৈ পলমকৈ কৰাও ভাল"—এতেকে মই আকৌ—কলিকতাত পঢ়িবলৈ যাম,—যি থাকে কপালত। মোৰ এই নতুন সঙ্কল্পৰ কথা, সুবিধা বুজি এদিন পিতৃদেৱতাৰ কাণ চোৱালোঁ। দেখি আচৰিত মানিলোঁ, পিতৃদেৱতাই আপত্তি নকৰিলে। নিশ্চয় তেওঁ মোক এইদৰে নিকৰ্ম্মাভাৱে সময় কটোৱা দেখি পেটে পেটে ভাল নাপাইছিল। তেওঁ ভালকৈ দেখিছিল যে ওকালতি পঢ়া বা কুৰি-পঁচিশ টকাত চাকৰী কৰাটোত মোৰ পৰিস্ফুট বিতৃষ্ণা। সেই নিমিত্তে তেওঁ দেখিলে যে মই আকৌ কলিকতাত পঢ়িবলৈ যোৱাৰ বাহিৰে আৰু নান্যঃ পন্থা বিদ্যতে? দেউতাৰ অনুমতি পাই, এইবাৰ "বান্ধিলোঁ মন শিলৰ খুটি, মেলিলোঁ মন যোৱাৰ চুটি" কৈ আকৌ কলিকতা ওলালোঁ গৈ। কালীঘাটত পৰ-গৃহবাস, আৰু কলিকতাৰ ইমূৰত থাকি সিমূৰৰ কলেজত পঢ়িবলৈ পাৰি দিয়াৰ নিচিনা উপসৰ্গবোৰ গঙ্গাৰ জলত বিসৰ্জ্জন দি, ৫৩ নম্বৰ কলেজ ষ্ট্ৰীটৰ বঙালী ছাত্ৰৰ "মেছ" এটাত থাকিবলৈ দিহা কৰি ললোঁ। হাইকোৰ্টৰ অসমীয়া ট্ৰেন্সলেটৰ শ্ৰদ্ধাস্পদ শ্ৰীযুত ৰমাকান্ত বৰকাকতী সেই মেছতে আছিল; ময়ো তেওঁৰ লগতে জাপ খালোঁগৈ। ওচৰতে চিটি কলেজ। ৰিপন কলেজ এৰি চিটি কলেজত নাম লগাই ললোঁ। মই নপঢ়ি ৰলিয়ালি কৰি উৰি-ফুৰি যি ছমাহ কটাইছিলোঁ, সেই ছমাহৰ ক্ষতিপূৰণ কৰিবলৈ আঁকোৰ-গজালিকৈ মন পুতি লাগিলোঁ। শিৱসাগৰৰ ৰাজহুৱা নামঘৰত সোমাই শঙ্কৰ মেতোৰৰ গোসাঁইৰ পদ লভি এণ্ট্ৰেন্স পৰীক্ষাত উঠিবলৈ লগা সঙ্কল্পই মোক আকৌ পালে। দেখিলোঁ, কলেজ ক্লাছৰ কিতাপবোৰ আন আন ছাত্ৰে পঢ়ি প্ৰায় শেষ কৰিছে। আৰু ক্লাছৰ অধ্যাপকৰ লেক্‌চৰবোৰৰো অন্তিম অৱস্থা। কিন্তু Labour omnia vincit অৰ্থাৎ "যত্ন সৰ্ব্বজয়" এই বাক্য সাৰগত কৰি লৈ মই নডৰি দুগুণ উৎসাহেৰে ঘৰত ভালকৈ পঢ়িবলৈ ধৰিলোঁ। দুমাহমানৰ ভিতৰতে মোৰ ক্ষতিবোৰৰ সৰহভাগ পূৰণ কৰি পেলালোঁ। মই অঙ্কবিদ্যাত (Mathematics) বৰ অপটু আছিলোঁ। এফ্. এ. পৰীক্ষা দিবলৈ অঙ্কৰ যি বিদ্যা লাগে, সেই বিদ্যাৰ area অৰ্থাৎ ক্ষেত্ৰফলো বৰ কম নহয়। সেই বিদ্যাত মই একেবাৰেই বিদ্যাদিগ্‌গজ বুলিলেই হয়। এতিয়া কৰোঁ কি? ঈশ্বৰে উপায় উলিয়াই দিলে। মোৰ অন্তৰঙ্গ বন্ধু শ্ৰীযুত ঘনশ্যাম বৰুৱা (পিছত অনাৰেবোল ৰায় বাহাদুৰ মন্ত্ৰী ঘনশ্যাম বৰুৱা ডাঙৰীয়া) মোৰ সহায়ক হল। তেওঁ তেতিয়া চতুৰ্থ বাৰ্ষিক শ্ৰেণীত বি. এ. পৰীক্ষা দিবলৈ সাজু হৈছিল। সেইকালত কলিকতাত থকা অসমীয়া ছাত্ৰৰ ভিতৰত তেওঁ অঙ্কবিদ্যাত বেছি অভিজ্ঞ আছিল। বন্ধু-বৎসলতা আৰু পৰোপকাৰিতা গুণতো তেওঁ সকলোৰে অগ্ৰণী আছিল। অসমীয়া লৰাৰ মেছে মেছে খোটালিয়ে খোটালিয়ে গৈ তেওঁ আপোন ইচ্ছাতে আনন্দ মনেৰে ছাত্ৰক অঙ্কবিদ্যাত, আৰু শক্তি অনুসাৰে আন আন বিষয়তো সহায় কৰাটো তেওঁৰ স্বভাৱৰ এটা অঙ্গ আছিল। সকলোপৰা মই তেওঁৰে সৈতে একেলগে ডাঙৰ দীঘল হোৱা মৰমৰ বন্ধু; এতেকে তেওঁ যে মোক অতি আগ্ৰহেৰে অঙ্কবিদ্যা উপাৰ্জ্জনত সহায় কৰিব, তাত বিচিত্ৰ কি? তেওঁৰ স্বাস্থ্য লৰাকালৰেপৰা বেয়া আছিল। কলিকতাত থাকিও তেওঁ তেওঁৰ হেৰোৱা স্বাস্থ্য লাভ কৰিব নোৱাৰিছিল। মই মই দি কব পাৰোঁ, যদি তেওঁৰ স্বাস্থ্য ভাল হলহেঁতেন, আৰু নিয়মতে তেওঁ পৰিশ্ৰম কৰিব পাৰিলেহেঁতেন, অন্ততঃ অঙ্কবিদ্যাত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ এজন নামজলা ছাত্ৰ হৈ উঠিব পাৰিলেহেঁতেন। সুন্দৰ প্ৰকৃতি, সুমধুৰ ব্যৱহাৰ আৰু পৰৰ নিমিত্তে স্বাৰ্থত্যাগ তেওঁৰ অঙ্গৰ ভূষণ আছিল। মোৰ প্ৰতি থকা তেওঁৰ বন্ধুত্বভাৱৰ স্মৃতি মোৰ মনৰপৰা কেতিয়াও অন্তৰ্হিত নহয়।

কলিকতাত মোৰ পঢ়াৰ খৰচ আমাৰ ঘৰৰপৰা নালাগে বুলি মই মনতে থিৰ কৰি আছিছিলোঁ। মই গুৱাহাটীৰপৰা কলেজত নিয়মতে নপঢ়াৰ নিমিত্তে, মোৰ স্কলাৰ্শ্বিপ অৰ্থাৎ আসাম গৱৰ্ণমেণ্ট মোক মাহে কুৰি টকাকৈ দিয়া বৃত্তিটো বন্ধ হৈছিল। চিটি কলেজৰ গৰাকীসকলে মোৰ হৈ অনেক লেখালেখি কৰি সেইটো উদ্ধাৰ কৰি দিয়ালে। মই একেবাৰেই ছকুৰি কি সাতকুৰি টকা পালোঁ। "কাৰ্য্যম্বা সাধয়েৎ শৰীৰম্বা পাতয়েৎ" কৰি মই নিশ্চিন্ত মনেৰে পঢ়িবলৈ লাগি গলোঁ। ফলত, মই এফ্ এ পৰীক্ষাত উত্তীৰ্ণ হলোঁ; আৰু সেই বাতৰি শুনিছে ঘৰমুৱা হলোঁ।

ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ সহধৰ্ম্মিণী শ্ৰীমতী বিষ্ণুপ্ৰিয়া দেৱী, আসামৰপৰা আহি তেওঁৰ লৰা-ছোৱালী কেইটিৰে সৈতে, কলিকতাত মাণিকতলা ষ্ট্ৰীটৰ ভেৰোণীয়া ঘৰ এটাত আছিল। মই দ্বিতীয়বাৰ কলিকতালৈ আহি তেওঁলোকৰে সৈতে দেখা কৰিবলৈ গৈছিলোঁ। ৰায় বাহাদুৰ ডাঙৰীয়াই তেতিয়াও কামৰপৰা অৱসৰ লৈ লৰাওঁ এৰি কলিকতালৈ অহা নাছিল। বৰুৱা ডাঙৰীয়াৰ একো একোটি পুতলা যেন লৰা-ছোৱালীৰে সৈতে কি সুন্দৰ পৰিয়ালটি! তেওঁৰ সাদৰী সহধৰ্ম্মিণীয়ে আদৰ-সাদৰৰ মাত-কথাৰে তিনিকতে মোৰ শ্ৰদ্ধা আকৰ্ষণ কৰি পেলালে। সকলোত ডাঙৰীয়ানীৰ মই মোমায়েক হওঁ। তেওঁৰ ঘৰলৈ গলেই তেওঁ "মোমাইদেও

ইয়াতে বহক, এইটো খাওক, সেইটো চাওক," ইত্যাদি আদৰৰ মাতেৰে সদায় মাক-বাপেকৰ আদৰ পাই থকা, আৰু ঘৰ এৰি প্ৰৱাসত থকা এই home-sick অৰ্থাৎ নিজঘৰ-কাতৰুৱা লৰাটোৰ নিমিত্তে তেওঁলোকৰ প্ৰৱসুৱা ঘৰখন একেবাৰেই নিজা ঘৰ যেন কৰি পেলাইছে। তেওঁৰ জীয়েক শ্ৰীমতী স্বৰ্ণলতাই তেতিয়া বেথুন স্কুলত পঢ়িছিল। অসমীয়া ছোৱালীৰ পক্ষে সেইটো নতুন কথা। মোৰ আপোন ভনীৰ দৰে স্বৰ্ণৰ সৰল ব্যৱহাৰত মই মুগ্ধ হৈছিলোঁ। শ্ৰীমান জ্ঞানদাভিৰাম (এতিয়া জে বৰুৱা স্কোয়াৰ, বেৰিষ্টৰ্-এট-ল, প্ৰিন্সিপেল, আৰ্ল্-ল কলেজ) তেতিয়া দুমহীয়া সৰু লৰা। তেওঁক মই কোলাত লৈ, বোকোচাত তুলি মৰম কৰি নথৈ সন্তোষ লভিছিলোঁ। তেওঁ গঢ় আৰু বৰণত ঠিক এটি য়ুৰোপীয় খোলোকা লৰা যেন আছিল। তেওঁৰ বৰ ককাইদেৱেক কৰণা আৰু মাজু ককাই-দেৱেক কমলাও বগা আৰু দেখনিয়াৰ লৰা আছিল। কি পৰিতাপৰ বিষয়, এনে দুটি লৰা অকালত পৰলোকলৈ গ'ল। ডাক্তৰ নন্দকুমাৰ ৰায় নামেৰে এজন বিলাতত ডাক্তৰী পঢ়ি অহা বঙালী ভদ্ৰলোকেৰে সৈতে শ্ৰীমতী স্বৰ্ণলতাক বিয়া দিয়া হৈছিল। দুজনী সৰু ছোৱালীৰে সৈতে স্বৰ্ণলতাক বিধৱা কৰি থৈ ডাক্তৰ ৰায়ো অকালত পৰলোকলৈ গ'ল। বিষ্ণুপ্ৰিয়া দেৱীয়ে "নীতিকথা" নামেৰে নীতিগৰ্ভ কিতাপ এখনি ৰচনা কৰিছিল। মন কৰিব লগীয়া কথা যে পইত্ৰিশ-ছয়ত্ৰিশ বছৰৰ আগেয়ে অসমীয়া ভদ্ৰমহিলা এজনাই সুৰলা আৰু প্ৰাঞ্জল অসমীয়া ভাষাত এনে এখনি গ্ৰন্থ ৰচনা কৰিছিল। ডাঙৰীয়ানী বিষ্ণুপ্ৰিয়াৰে বুৰঞ্জী-বিজ্ঞ প্ৰবীণ সাহিত্যিক "আসাম-বন্ধু"ৰ সম্পাদক সুবিখ্যাত ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰ উপযুক্ত সহধৰ্ম্মিণী—এই কাৰ্য্যই সেইটোকে ভালকৈ প্ৰমাণ কৰে।

মই তেতিয়া কলিকতাৰ ৫৩ নম্বৰ কলেজ ষ্ট্ৰীটৰ অসমীয়া আৰু বঙালী ছাত্ৰৰে সান-মিহলি মেছত। এই মেছৰ গাতে লগা ১৪।১, প্ৰতাপচন্দ্ৰ চাটুৰ্জ্জীৰ লেনত এটা অবিমিশ্ৰ অসমীয়া ছাত্ৰৰ মেছ আছিল। শ্ৰীযুত সত্যনাথ বৰা, শ্ৰীযুত দেৱীচৰণ বৰুৱা, ৺কালীকান্ত বৰকাকতী, ৺ঘনশ্যাম বৰুৱা (অনাৰেবোল ৰায় বাহাদুৰ), শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ (ৰায় বাহাদুৰ), শ্ৰীযুত গুঞ্জানন বৰুৱা, শ্ৰীযুত গোপীনাথ বৰদলৈকে প্ৰমুখ্য কৰি অসমীয়া ছাত্ৰ-সকল এইটো মেছত আছিল। তেতিয়া আসাম সাহিত্যাকাশত 'আসাম-বন্ধু'ৰ অস্ত, আৰু "মৌ"ৰ উদয়। "মৌ" বিলাতৰ কুপৰ্চ্ছ হিল কলেজত পঢ়ি থকা শ্ৰীযুত বলিনাৰায়ণ বৰা ইঞ্জিনিয়ৰ ছাহাবৰ অসমীয়া মাহেকীয়া কাকত। বৰা ছাহাবৰ ভায়েক ৺হৰনাৰায়ণ বৰাৰ গাত "মৌ"ৰ সম্পাদকীয় ভাৰ নামত, ককায়েক বৰা ছাহাবহে সম্পাদক কামত। ১০০ নম্বৰ বহুবাজাৰ ষ্ট্ৰীটৰ ছপাখানা এটাত "মৌ" ছপা হৈছিল। সুযোগ্য বলিনাৰায়ণ বৰাৰ কাগৰ কৰলত "মৌ"ৱে প্ৰথমৰে পৰা বঙলুৱা কাকতবোৰৰ গতানুগতিকভাৱে নচলি, অৰ্থাৎ কলিকতীয়া বঙালীয়ে চলোৱা কাকতবোৰৰ নেজত ধৰি নগৈ, স্বাধীন চিন্তাৰ বাট ধৰি যাবলৈ ধৰিলে। আমি তেতিয়া বঙলুৱা কাকতৰ বিদ্যাৰ খুন্দ খোৱা অসমীয়া ছাত্ৰৰ যোনা। আমাৰ মূৰ মেলি দিলেই বঙলুৱা বিদ্যাৰ মাহ-সৰিয়হ ওলাই পৰে। নতুন কংগ্ৰেছৰ ৰাজনৈতিক মতৰ কমাৰ-শালে আমাৰ মন পুৰি ৰঙাকৈ থৈছিল। আমাৰ অচিনাকি আওবাটে "মৌ"ক যোৱা দেখি আমি চিঙিৰি-তুলা যেন হলোঁহক। আৰু আমি যেতিয়া দেখিলোঁ যে কংগ্ৰেছবিৰোধী ইংৰাজী "ইংলিংশমেন" কাকতত মৌৰ প্ৰশংসা ওলাল, আমাক আৰু পায় কোনে? আমি প্ৰতাপচন্দ্ৰ চাটুৰ্জ্জীৰ লেনৰ মেছত বহি সভাৰ উপৰি সভা কৰি "মৌ" মাৰিবলৈ ককালত টঙালি বান্ধি উঠিলোঁহক। ৺কালীকান্ত বৰকাকতী আৰু ৺মথুৰামোহন বৰুৱাৰ (পিতৃ Advocate of Assam কাকতৰ সম্পাদক) নেতৃত্বত জনচেৰেকে বৰা ডাঙৰীয়াৰ effigy অৰ্থাৎ ধানখেৰৰ জুমুঠিৰে সজা মূৰ্ত্তি পুৰিবলৈ ওলাল। আমি শাঁতি-গুৰ্ত্তি এৰি টাংগুটি ওফৰাদি উফৰি ফুৰিবলৈ ধৰিলোঁহক। মই আৰু মথুৰামোহনে মহাপৰাক্ৰম প্ৰদৰ্শন কৰি "মৌ"লৈ প্ৰতিবাদ-প্ৰবন্ধ লেখি পঠিয়াইছোঁ। প্ৰবন্ধ ছপা হ'ল। বৰা ডাঙ-ৰীয়াই "সম্প্ৰতি কলিকতা-নিবাসী শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাই" বুলি আৰম্ভ কৰি মোৰ প্ৰতিবাদ-প্ৰবন্ধৰ উত্তৰ সেই প্ৰবন্ধৰ লগে লগে ছপাই উলিয়ালে। মনত আছে, আমাৰ "মৌ" মাৰিবৰ চেষ্টাৰে ব্যৰ্থ, সেইটো বুজাবলৈ বৰা ডাঙৰীয়াই "মৌ"ত লেখিলে— "যি গছত মৌৱে বাঁহ লৈছে, সেই গছ হালি নপৰিলে মৌ নমৰে।" কিন্তু দুখৰ বিষয়, আমাৰ misdirected energy অৰ্থাৎ কুপথেদি নিয়োজিত শক্তিৰ বলত মৌৱে বাহ লোৱা গছ পৰিল হালি। মৰিল "মৌ"। আমি লৰালি কৰি তেতিয়া নুবুজিছিলোঁ যে "মৌ"ৰ নিচিনা এনে ভাল কাকত এখন বধ কৰি আমাৰ দেশৰ কি অনিষ্টকে সাধন কৰিলোঁ। সম্ভৱতঃ আমাৰ ওপৰত বিৰক্ত হৈ বৰা ডাঙৰীয়াই তেতিয়াৰে-পৰা অসমীয়া ভাষাত লেখা একেবাৰেই এৰি দিলে; কাৰণ তাৰ পিছৰপৰা আজিলৈকে তেওঁৰ কাগৰ পৰা অসমীয়াত আৰু একো ওলোৱা আমি দেখা পোৱা নাই।

ডাঙৰীয়া হৰিবিলাস আগৰৱালাৰ সুযোগ্য পুত্ৰ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাই তেতিয়া যোৰকৰোঁ,

কলিকতাৰ প্ৰেছিডেঞ্চি কলেজৰ দ্বিতীয় বাৰ্ষিক শ্ৰেণীত এফ্. এ. পঢ়িছিল। কলিকতাৰ বজাৰত ১০ নম্বৰ আৰ্মেনিয়ান ষ্ট্ৰীটত তেওঁলোকৰ ব্যৱসায়ৰ নিজা কুঠী আছিল। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা তাতে থাকি তেওঁলোকৰ বেহা-বেপাৰৰ কাৰ্য্যৰ তত্বাৱধান কৰিছিল, আৰু কলেজতো পঢ়িছিল। যিদিনা প্ৰথমতে তেওঁৰে সৈতে মোৰ চিনা-জনা হয়, সেই দিনাৰপৰাই তেওঁৰ হাঁহি-মুখ, মিঠা কথা আৰু মোহন ব্যৱহাৰে মোৰ মন তেওঁৰ ফালে টানি নিলে। অচিৰতে আমাৰ দুয়োৰো মাজত বন্ধুতাৰ ঘনিষ্ঠতা সংস্থাপিত হ'ল। তেওঁৰ মনৰ চাল সাহিত্য-চৰ্চ্চাৰ ফালে, আৰু মোৰো তথৈবচ। তেওঁ "জোনাকী" নামেৰে এখন মাহেকীয়া কাকত উলিয়াবলৈ থিৰ কৰি আমাৰে সৈতে পৰামৰ্শ কৰিলে। মই তেওঁক সেই কাৰ্য্যত নথৈ উৎসাহ দি "জোনাকী"লৈ প্ৰবন্ধ লেখিবলৈ সাজু হলোঁ। ১৮১০ শকৰ মাঘ মাহত "জোনাকী"ৰ প্ৰথম সংখ্যা ওলাল। সেই সংখ্যাৰে পৰা এবছৰলৈকে লেঠাৰি নিছিগাকৈ মোৰ "লিটিকাই" তাত ওলাবলৈ ধৰিলে। একাধাৰে সম্পাদক, কাৰ্য্যাধ্যক্ষ আৰু স্বত্বাধিকাৰী শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাই "জোনাকীৰ" নিমিত্তে অশেষ পৰিশ্ৰম কৰিবলৈ ধৰিলে। প্ৰথম সংখ্যাত তেওঁৰ সুলিখিত "আত্মকথা"ই জোনাকীৰ উদ্দেশ্য সুৱলাকৈ কৈ দিলে। তেওঁ "আত্মকথা"ত লেখিছিল, 'অসমত কাকতৰ গতি কচুপাতত পানীটুপিৰ দৰে। মানুহৰ চেষ্টা অজৰ-অমৰ বুলি জানিছে আমাৰ সাহ; উদ্যোগীয়ে মৰণ কি কব নোৱাৰে। জীৱনেই হইছে কাৰ্য্যশীল, কৰিবলগীয়া কাম কৰিম—ফললাভ পাছৰ কথা। কালৰ চকৰিৰ তলত বহু মৰেও, জীয়েও, মৰি জীহে সংসাৰৰ কাৰ্য্য সাধিব পাৰি। আমাৰ উদ্দেশ্য কি অনেকে সুধিব। সম্প্ৰতি ইয়াকে কলেই হব যে আমাৰ কাৰ্য্য দেখি আমাক সকলোৱে বুজিব পাৰিব—আমাৰ কমিটি বুজিব নোৱৰা সাঁথৰ নহয়। ৰাজনীতি আমাৰ "ৰাজ্য"ৰ বাহিৰ, এই পৰাধীন দেশত "প্ৰজানীতি"হে ধৰিবলগীয়া। সাহিত্য, বিজ্ঞান, সমাজ ইত্যাদি আমাৰ আলোচনাৰ বিষয়—এইবিলাক সাধ্যমতে বুজিবলৈ আৰু প্ৰকাশ কৰিবলৈ যত্ন কৰিম। "বাদ", "প্ৰতিবাদ" আমি আদৰেৰে আমাৰ কোলাত ঠাই দিম। সেই বুলি ব্যক্তিগত নিন্দাক ওচৰ চাপিবলৈ নিদিওঁ। ভাষালৈ আমাৰ বিশেষ চকু থাকিব। অসমৰ আটাই শ্ৰেণীৰ মানুহে যেন আমাক মৰম কৰে তালৈ আমি যত্ন কৰিম। নকৈ উঠি অহা অসমৰ নিমিত্তে আমাৰ আটাই শক্তি ব্যয় কৰিম। এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ "জোনাক" জুৰুৱাৰ নোৱাৰিলেও, যদি নিজে নিজেও মনৰ ফিৰিঙতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম। আমি জানো আমাৰ দেশ শিক্ষাত পাছু, জ্ঞানত ভিখাৰী, ধনত দুখীয়া, সংখ্যাবলত শক্তিহীন, স্বাস্থ্যত ৰুগীয়া, কামত এলেহুৱা ও পৰাধীন—কিন্তু আমি নিজশক্তি অনুযায়ী হইহে কামত হাত দিব পাৰোঁ। আমি যুজিবলৈ ওলাইছোঁ "আন্ধাৰ"ৰ বিপক্ষে। উদ্দেশ্য—দেশৰ উন্নতি "জোনাক"। কিমানলৈ আগ বাঢ়িব পাৰিম-হঁক সেইটো নিজৰ শক্তিচালনা ও সুযোগৰ ওপৰতহে বই আছে। আটাইয়ে উঠি পৰি লাগোঁহক, সুযোগও আপুনি ওলাবহি; পাটীত পৰি দিন গণিবৰ সময় নাই। চাৰিওফালে হুৰহুৰাই "কাম" চলিছে—অসমীয়া বহি থাকিবনে? এই ভাপ-নাও, ভাপ-ৰথ, বিজুলি-ডাকৰ দিনতো যদি হাত-ভৰি কোঁচাই বহি থাকোঁহক, তেনে আৰু আগ বাঢ়ি যোৱাসকলৰ লগ ধৰিবলৈ আশা কৰিব নোৱাৰি। আমি নিজকে নিজে "যোগ্য" নকৰিলে অন্যে কৰি নিদিয়েহি। এই সংসাৰেই হৈছে যোগ্যৰ ঘৰ। অযোগ্য অধঃ-পাতলৈ যাব—Survival of the fittest—পাঠকে দায় নধৰিব, এইখিনিতে সুন্দৰ ইংৰাজী কথা এফাকি তুলি দিলোঁ, তাৰ অৰ্থ ওপৰত দিয়া হৈছে। তুঁহৰ জুইৰ দৰে অসমীয়াৰ "তেজ" আৰু উৎসাহ এতিয়া ভাগ্যৰ জাপৰ তলত লুকাই আছে—এবাৰ ভমকাই উঠিবই উঠিব।'

এবাৰ বঙ্গদেশৰ বৰ্দ্ধমানত বহা "প্ৰভিঞ্চিয়েল কন্‌ফৰেঞ্চ"ত সুপ্ৰসিদ্ধ বেৰিষ্টাৰ এ. চৌধুৰীয়ে(পিছত ছাৰ আশুতোষ চৌধুৰী নাইট্, কলিকতা হাইকোৰ্টৰ জজ) কৈছিল "A subject nation has no politics" অৰ্থাৎ পৰাধীন জাতিৰ ৰাজনীতি বুলি এটা বস্তু নাই; অৰ্থাৎ, পৰাধীন জাতিয়ে ৰাজনীতি চৰ্চ্চা কৰাটো বিড়ম্বনা মাথোন। সেই কালত এই নতুন বচন শুনি ভাৰতত ৰাজনৈতিক আন্দোলন কৰোঁতাসকল জ্বলি উঠিছিল। বোম্বাইৰ সিংহ ছাৰ ফিৰোজস্যাহ মেহ্‌টা, দিন্‌ছা ৱাচা, আন কি মহামতি গোখেলেও, আৰু বেঙ্গলৰ সুৰেন্দ্ৰনাথ বানুৰ্জী প্ৰভৃতিয়ে এই বচনৰ (dictum) দুৰ্দ্দোৰ প্ৰতিবাদ কৰিছিল। কিন্তু তেওঁলোকে প্ৰতিবাদকে কৰক বা খণ্ডকে কৰক, এইটো ঠিক যে এই বচনৰ সত্যতা সকলোৱে আন কি তেওঁলোকেও হাড়ে-হাড়ে মজ্জায়-মজ্জায় অনুভৱ নকৰি থকা নাছিল। আচৰিত কথা নহয় নে, প্ৰবীণ ৰাজনৈতিকৰ মুখৰপৰা ওলোৱাৰ অনেক কালৰ আগেয়েই, অলপ-বয়সীয়া ছাত্ৰ "জোনাকী"ৰ সম্পাদক শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰ লৰা-মুখৰ-পৰাও এই কথাই ওলাইছিল?

ওপৰত কৈ আহিছোঁ যে প্ৰথম বছৰৰ "জোনাকী"ৰ প্ৰতি সংখ্যাতে মোৰ "লিটিকাই" ওলাইছিল। ন লেখক আৰু ন যোৱাৰী একেখন কজিতে উঠে।

ন লেখাক মই সেই দেখি মোৰ "লিটিকাই" পঢ়ি লোকে কি কব, কি বুলিব, এই ভয়ত মই চঁক খাই কুৰিছিলোঁ। কোনোবাই "জোনাকী"ত ওলোৱা "লিটিকাই"ৰ কথা উলিয়ালে মই সেই ঠাইৰপৰা উঠি সুৰ সুৰ কৰে পলাইছিলোঁ ; আৰু পলাব নোৱাৰিলে লাজত অধোবদন হৈছিলোঁ, অথচ লোকে কি কয় শুনিবৰো নথৈ মন। যি হওক "লিটিকাই" পঢ়ি সকলোৱে ৰং পোৱা দেখি মোৰ উত্সাহ বাঢ়িছিল। কোনোৱে নেদেখাকৈ লুকাই মই "লিটিকাই" ৰচনা কৰিছিলোঁ। "লিটিকাই"কবিতা নহয় ; ৰচোঁতা-জন কবিযশ-প্ৰাৰ্থীও নহয় ; গতিকে কলিকতাৰ ইডেন উদ্যানেৰে সৈতে "লিটিকাইৰ" আৰু "লিটিকাই" ৰচক বাপুদেউৰ কি সম্বন্ধ লাগিছিল আজিলৈকে মই ভাবি নাপাওঁ। কিন্তু ভাৱৰপৰা অথাইটং লিটিকায়ে ইডেন গাৰ্ডেনৰ গছৰ তলতে বাপদেউৰ "চূণ খাই মৰিব" খজি বাপুদেউৰ গাত শূন্ৰ-বধ পাতক লগাবলৈ গৈছিল। কথাবাৰৰ বাকলি গুচাই কেওঁটো কাটি ভিতৰখন দেখুৱাবলৈ গলে কব লাগিব যে শনিবাৰ-দেওবাৰৰ দিনা মই ইডেন উপবনৰ নিজান গছৰ তলত, বেঞ্চৰ ওপৰত বহি "লিটিকাই"ৰ একো আধ্যা লেখি লৈ মোৰ থকা ঠাই মেছলৈ উভতি আহিছিলোঁ। "লিটিকাই" সাধুটো মনত আছিল ; গতিকে ভাবি-চিন্তি কোনো "প্লট" (plot) নগঢ়ি একেবাৰেই লেখি গৈছিলোঁ। প্ৰথমতে বালিৰ কাকতত পেঞ্চিলেৰে যি লেখি গৈছিলোঁ, কাটি-কুটি নুশুধৰোৱাকৈয়ে নাইবা ভাল কাকতত নকল নকৰাকৈয়ে তাকে ছপা কৰিবলৈ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰ হাতত মনে মনে গুজি দিছিলোঁ ; আমাৰ বন্ধু-বৎসল আগৰৱালাই সম্পাদকীয় বা কাৰ্য্যাধ্যক্ষীয় নিয়মাৱলীৰ কোনো ধাণকে সেই কুৰুচ লেখাৰ বিপক্ষে টোণৰপৰা নাটানি, হাঁহি মাৰি তাক হাত মেলি লৈ পৈ তপতে তপতে "জোনাকী"ৰ বুকুত সুমাই দিছিল।

প্ৰথম সংখ্যা "জোনাকী"তে আগৰৱালাৰ "বনকুঁৱৰী" কবিতাটি ওলায়। যিসকলে আগেয়ে ভাবিছিল যে অসমীয়া ভাষাত বৰ্ত্তমান কালৰ উপযোগী শুৱলা কবিতা (poem) লেখিব নোৱাৰি, এই কবিতা পঢ়ি সেইসকলৰ ভ্ৰান্তি গ'ল। মনত আছে, এদিন ৰায় বাহাদুৰ জগন্নাথ বৰুৱা বি. এ. আৰু মাণিকচন্দ্ৰ বৰুৱাই মোৰ হতুৱাই "বনকুঁৱৰী" কবিতাটো পঢ়াই শুনি বিস্ময়-বিমিশ্ৰিত আনন্দ লভিছিল। মই স্পষ্ট বুজিব পাৰিছিলোঁ যে তেওঁ-লোকে আগেয়ে ভাবিবকে নোৱাৰিছিল যে বৰ্ডছৱৰ্থৰ কবিতাৰ নিচিনা এনে মনোৰম কবিতা এটা কলেজত পঢ়া অসমীয়া ছাত্ৰ এজনে অসমীয়া ভাষাত ৰচনা কৰিব পাৰে। ইয়াৰ পিছত দ্বিতীয় সংখ্যা "জোনাকী"ত শ্ৰদ্ধাস্পদ বন্ধু শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীৰ "কাকো আৰু হিয়া নিবিলাওঁ" নামৰ প্ৰেমৰ কবিতা ওলাল। এই কবিতায়ো অনেকৰ মনত সন্তোষ দিছিল। ৺ঘনশ্যাম বৰুৱাৰ (ৰায় বাহাদুৰ) গদ্য প্ৰবন্ধ "আত্মশিক্ষা", "চিন্তানল"ৰ শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্যৰ "পাহৰণি" কবিতা আৰু সম্পাদক আগৰৱালাৰ মুকুতাৰ মণিৰ নিচিনা "নীৰৱ" কবিতাই এই বছৰৰ "জোনাকী"ক সুবেশ আৰু সুগম্ভীৰ কৰি তুলিছিল।

দ্বিতীয় বছৰত জোনাকীক, ১০ নং আৰ্ম্মেনিয়ান ষ্ট্ৰীটৰপৰা ২নং ভবানীচৰণ দত্ত লেনৰ অসমীয়া ছাত্ৰৰ মেছলৈ তুলি অনা হয়। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাও তেওঁলোকৰ আৰ্ম্মেনিয়ান ষ্ট্ৰীটৰ ঘৰৰপৰা আহি সেই মেছবাসী হ'ল। অতে আগৰৱালা, শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী আৰু এই লেখক এই তিনি অন্তৰঙ্গ বন্ধুৰ একত্ৰ সমাৱেশ ঘটিল ; আৰু তিনিও "জোনাকী"ৰ উন্নতি কাৰ্য্যত ব্যস্ত হৈ পৰিলোঁহক। এই ত্ৰ্যহস্পৰ্শৰ ফলত "জোনাকী" প্ৰবন্ধ সম্পদেৰে চহকী হৈ উঠিল। ৺ৰত্নেশ্বৰ মহন্তৰ "অসমত মান", ৺লম্বোদৰ বৰাৰ "অসমীয়া ভাষাৰ আখৰ-যোঁটনি", ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ "সৌমাৰ-ভ্ৰমণ", ৺বিষ্ণুপ্ৰসাদ আগৰৱালাৰ "শঙ্কৰদেৱ" কোলাত লৈ "জোনাকী"য়ে বাইজৰ সভাত প্ৰৱেশ কৰিলে। এই লেখকৰ "কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা" এই দ্বিতীয় বছৰৰ "জোনাকী"ৰ এসংখ্যাতে আৰম্ভ হয়। এবছৰৰ জোনাকীৰ চেষ্টাই অসমীয়া ভাষাৰ কঁকালত অনেক বল দিলে ; আৰু ভাষা-আকাশত পুৱাৰ পোহৰ পৰিল। অসমীয়া ভাষাটো আমাৰ অলাগতিয়াল বস্তু, কিছুমান ইংৰাজী শিক্ষিত অসমীয়াৰ যে এনে এটা অদ্ভুত সংস্কাৰ আছিল, সেইটোৱে ৰৰকৈ জোকাৰ খালে। এই শাৰীৰ মানুহকে লক্ষ্য কৰি দ্বিতীয় বছৰৰ "জোনাকী"ৰ "আত্মকথা"ত লেখা হৈছিল,—"দুখৰ বিষয়—অসমীয়া ভাষাটো যে আমাৰ লাগতিয়াল, তাক কোনো কোনো অসমীয়াই দকৈ গমি নেচাই উপলুজা কৰে। ....হায়! হায়। অসমীয়া মানুহে নিজ ভাষাৰ উন্নতিলৈ পিঠি দিয়াৰ কাৰণে কতখনি কাকত উপজি মৰি গ'ল, সদাশয় পাঠকসকলে এবাৰ তাক সুঁৱৰি সুঁৱৰি বহি কান্দোক।"

মাতৃভাষাৰ ভালৰ অৰ্থে আমি অকল "জোনাকী" উলিয়ায়ে বহি থকা নাছিলোঁ। "অসমীয়া ভাষা উন্নতি সাধিনী সভা" নামেৰে সভা এখন স্থাপন কৰি তাৰ উন্নতি সাধন কৰিবলৈ প্ৰাণপণে লাগি গৈছিলোঁহক। এই বছৰৰ "জোনাকী"ত ছপা হোৱা অ. ভা. উ. সা. সভাৰ কাৰ্য্য-বিৱৰণ পঢ়িলেই তাৰ আভাস পোৱা যায়। এই লেখক সেই বছৰত

সেই সভাৰ সম্পাদক আছিল। তেওঁ লেখা বছেৰেকীয়া কাৰ্য্য-বিৱৰণৰপৰা অলপ তুলি দিলোঁ। এই বছেৰেকীয়া সভা ১৮১২ শকৰ ২০ আহিনত ২নং ভবানীচৰণ দত্তৰ লেনৰ ঘৰত বহিছিল, আৰু তাৰ সভাপতি আছিল ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা।—

'জন্মৰ সংক্ষেপ বিৱৰণ।—কলিকতাত থকা অসমীয়া ছাত্ৰসকলৰ "টি পাৰ্টি" (অৰ্থাৎ চাহ খোৱা মেল) নামেৰে এখন সন্মিলনী আছিল। সেই সন্মিলনী প্ৰতি শনিবাৰে গধূলি অসমীয়া ডেকাসকলৰ কোনো এটি বহাত বহি সেইসকলৰ মাজত পৰস্পৰ সদ্ভাব-প্ৰীতি আদি উৎপন্ন কৰাৰ প্ৰধান উপায় সাধিছিল। আৰু সেই সুযোগতে তাত দেশহিতকৰ ভাল ভাল বিষয় বিলাকৰ অলপ অলপ আলচ হৈছিল। সেই আলচৰ ফল-স্বৰূপে এই "অসমীয়া ভাষা উন্নতি সাধিনী সভা"ৰ জন্ম। পৃথিৱীৰ ইতিহাসলৈ চকু দিলে দেখিবলৈ পোৱা যায় যে এই জগতত যতবিলাক ডাঙৰ ডাঙৰ কাৰ্য্যৰ অনুষ্ঠান হৈছে প্ৰায় সকলোবোৰৰ উৎপত্তিৰ সূত্ৰপাত এনে সৰু কাৰ্য্য বা ক্ষুদ্ৰ ঘটনাৰপৰা হৈছে। বিলাতী পণ্ডিত জনছন্ এডিচনৰ দিনৰ "কফি হাইছ্" ইউৰোপ, এচিয়া আৰু আমেৰিকা জুৰি পৰা বহুত ডাঙৰ কথাৰ ওপজা ঠাই। এতিয়াও অসমীয়া ভাইসকলৰ এই নগণ্য ক্ষুদ্ৰ "টি পাৰ্টি"ৰপৰা গজালি মেলা পুলি "অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ" ডাল-পাতযে কালক্ৰমত প্ৰকাণ্ড আকাৰ ধৰি এশ যোজন ব্যাপি পৰিবৰ সম্ভৱ তাক কোন অসমীয়াৰ ওখ আশাৰে চপ্‌চপীয়া হিয়াই নুই কৰিবলৈ আগ বাঢ়িব? ১৮১০ শকৰ ভাদ মাহত (ইংৰাজী ১৮৮৮ সনৰ ২৫ আগষ্ট তাৰিখে) ৬৭নং মিৰ্জ্জাপুৰ ষ্ট্ৰীটৰ বহাত হোৱা "টি পাৰ্টি"ত অসমীয়া ভাষাৰ উন্নতি সাধিবৰ অৰ্থে এখন সভা কৰিবৰ প্ৰস্তাৱ হৈ সেই প্ৰস্তাৱ কাৰ্য্যত পৰিণত হোৱাৰ ফল স্বৰূপে "অসমীয়া ভাষা উন্নতি সাধিনী সভা"ৰ জন্ম হয়।

'এই সভাৰ উদ্দেশ্য হৈছে অসমীয়া ভাষাৰ উন্নতি সাধন কৰা। সেই উদ্দেশ্যৰূপ মহামন্ত্ৰক হিয়াত ঠাই দি এই সভাই "অসমীয়া ভাষা উন্নতি সাধিনী" নাম লৈ উপজিছে। কেঁচুৱা মাতৃভাষা কেনেকৈ ডাঙৰ-দীঘল হব; কেনেকৈ সি পৃথিৱীৰ আন আন ধনী আৰু উন্নতিশীল ভাষাৰ সমান হৈ আপোন গৌৰৱ-বেলিৰ পোহৰ চাৰিওফালে পেলাই দুখীয়া আৰু এন্ধাৰ অসমৰ মুখ পোহৰাব পাৰিব; কেনেকৈ সি দুৰ্ব্বল, ৰুগীয়া আৰু জীৰ্ণ অৱস্থাৰপৰা সবল, সুস্থ আৰু শকত অৱস্থা পাব, তাৰ উপায় সাধনেই এই সভাৰ উদ্দেশ্য।

'এই উদ্দেশ্য সাধন কৰিবলৈ সভাই অসমীয়া পুথিবিলাক একে ঠাইতে গোটাবলৈ যত্ন কৰিছে। পুৰণি পুথিবিলাক যাতে নষ্ট নেপায় আৰু ক্ৰমে ছপা হৈ প্ৰকাশিত হয় সভাই তাৰো চেষ্টাত আছে। অসমৰ সকলোবিধৰ পঢ়াশালিতে যাতে অসমীয়া ভাষা প্ৰচলিত কৰা হয়, আৰু অসমীয়া লৰা-ছোৱালীয়ে যাতে নিজ নিজ ভাষা সুকলমে পঢ়িবলৈ পায়, তাৰ নিমিত্তে আসামৰ শিক্ষাবিভাগৰ অধিকাৰসকলৰ মনোযোগ আকৰ্ষণ কৰা; লেখা-পঢ়া কাৰ্য্যত অশুদ্ধ ব্যাকৰণ, অশুদ্ধ বৰ্ণবিন্যাস ক্ৰমে লোপ কৰি তাৰ স্থলত পৰিশুদ্ধ ভাষা ব্যৱহাৰ কৰিবলৈ পঢ়াশালি আদিত দূষিত ভাষাৰ পুথিৰ সলনি শুদ্ধ ভাষাৰ পুথি চলাবৰ নিমিত্তে আন্দোলন কৰিবলৈ, শ্ৰীধৰ কন্দলি, ৮শঙ্কৰদেৱ আদি পুৰণি গ্ৰন্থকাৰ আৰু কবিসকলে লিখা পুথিবিলাকৰ টান টান ভাগৰ টীকা-টিপ্পনী লেখিবলৈ আৰু দোষ-গুণ আলচ কৰিবলৈ; আমাৰ ভাষাত নোহোৱা লাগতিয়াল পুথিবিলাক সংস্কৃত বা আন ভাষাৰপৰা অনুবাদ কৰি বা সংক্ষিপ্ত সাৰ সংগ্ৰহ কৰি আমাৰ ভাষালৈ আনিবলৈ আসামৰ আগৰ দিন বা এতিয়াৰ যিবিলাক ধৰ্ম্মনীতি, সমাজনীতি, ৰাজনীতি, আৰু খেল, মেল, গাওঁ-ভূঁইৰ আনুপূৰ্ব্বিক বৃত্তান্ত আছে তাক সংগ্ৰহ কৰি এখন প্ৰকৃত বিস্তৃত বুৰঞ্জী লেখিবলৈ; দেশৰ ইতৰ সাধাৰণ সকলো শ্ৰেণীৰ মানুহৰ ভিতৰত যাতে লেখা-পঢ়াৰ চৰ্চ্চা হয় তাৰ নিমিত্তে উজু উপায় উলিয়াবলৈ; বাতৰি কাকতৰ প্ৰতি লোকৰ আগ্ৰহ বঢ়াবলৈ; আৰু অসমৰ সকলো অঞ্চলতে এটা মাত্ৰ লিখিত ভাষাৰ সৃষ্টি কৰিবলৈ সভাৰ যত্ন থাকিব।

'অসমীয়া পুথি।—এই সভাই অসমীয়া পুৰণি আৰু নতুন পুথিৰ নাম অতি যতনেৰে সংগ্ৰহ কৰি এটি তালিকা কৰি ৰাখিছে। .... এই পুথিবিলাকৰ নাম সংগ্ৰহ কৰাৰ উদ্দেশ্য এই—

(১) অসমীয়া ভাষাক যে ভাষা নহয় বুলি কোনোৱে কয়, তেনেকুৱা ভাষা নোহোৱা ভাষাত নো কিমান পুথি হব পাৰে, তাক জানি, সেই মতাৱলম্বী লোকসকলৰ মতত নো কিমান সাৰ বা পলস আছে সেই কথা বুজাৰ সুগম হব। আৰু যিটো বস্তুৰ উন্নতি কৰিবলৈ যোৱা হৈছে সেইটো নো কি মাত্ৰক বস্তু, তাৰ আকৃতি-প্ৰকৃতি, গঢ়-পিত কি, আৰু সি কিমান ডাঙৰ-দীঘল, শকত-আৱত সেইবোৰ জনাটো অতি লাগতিয়াল কথা।

(২) পুৰণি কালৰপৰা আজিলৈকে অসমীয়া মানুহৰ মানসিকতাৰ কি প্ৰকাৰ ক্ৰমবিকাশ হৈ আহিছে, তাক জানিবৰ যাই উপায় হৈছে এই পুথিবিলাক অসমীয়া মানুহৰ মন-ৰাজ্যৰ, দেহ-ৰাজ্যৰ, আৰু ধৰ্ম্ম-ৰাজ্যৰ আনুক্ৰমিক আৰু জলজলীয়া প্ৰাস

লগা বুৰঞ্জী অসমীয়া পুথিবিলাকৰ পিঠিয়ে অমূল্য দাৰ্শনিক আৰু ঐতিহাসিক সত্যবোৰ লোৰ পেৰাত হীৰা-মৰকত মণি-মাণিক খোৰাদি থৈছে। আমাৰ হাত, ভৰি, মূৰ ইত্যাদি যেনেকৈ আমাৰ শৰীৰৰ অঙ্গ আৰু সেইবোৰ নহলে যেনেকৈ আমাৰ শৰীৰ সম্পূৰ্ণ নহয়, অতীজৰেপৰা লেখা হৈ অহা অসমীয়া পুথিবিলাক সেইদৰে অসমীয়া সমাজ-শৰীৰ, অসমীয়া সাহিত্য-শৰীৰ আৰু অসমীয়া ধৰ্ম্ম-শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ ; আৰু সেইবোৰ নাথাকিলে বা লোপ পালে এই তিনিটা প্ৰকাণ্ড শৰীৰ খোৰা, কোঙা আৰু চাকোলা হব। এই পুথিবোৰেই এই তিনটা বিৰাট দেহৰ উৎপত্তি, বৃদ্ধি আৰু বিকাশৰ প্ৰধান সাক্ষী।

(৩) পুৰণি পুথিবিলাক আমাৰ পুৰাণ বস্ত্ৰ। বস্ত্ৰ যেনেকৈ পুৰণি হলেও অকামিলা নহয়, বৰং তাৰ মোল বাঢ়েহে, সেইদৰে আমাৰ পুৰণি পুথিবিলাক আমাৰ আমোল সম্পত্তি। আমাৰ উপৰি-পুৰুষসকলে তাক আজিছি আমি পো-নাতিহঁতলৈ থৈ গৈছে। এতিয়া আমি সেই বাপতি-সাহোন ৰাখি খাব লাগে। তাক কৰিব নোৱাৰিলে আমি তেওঁলোকৰ পো-নাতি বুলি কবৰ যোগ্য নহওঁ। * * * ভাৰত-বৰিষত ৩০০।৪০০ বছৰৰ আগেযে কেইটা জাতিৰ ৰোপা-ককাই অসমীয়াৰ দৰে ১২ স্কন্ধ ভাগৱত, ১৮ পৰ্ব্ব মহাভাৰত, ৭ কাণ্ড ৰামায়ণ আৰু পুৰাণ-আদি প্ৰায় ৫০০ খন পুথি নিজ মাতৃ-ভাষালৈ ভাঙি ৰচি থৈ গৈছিল ? শুনিলে আচৰিত হব লগা কথা।'

তৃতীয় বছৰৰ "জোনাকী"য়ে আকৃতি-প্ৰকৃতিত আৰু ৰচনা আদিৰ বিষয়ত বিস্তৰ উন্নতি লাভ কৰিছিল। এই বছৰৰ "জোনাকী"ৰ সম্পাদকতা কৰিবৰ ভাৰ এই লেখকৰ গাত সম্পূৰ্ণৰূপে পৰিছিল। প্ৰিয়বৰ শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী আৰু "জোনাকী"ৰ সৰ্ব্বহ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰপৰা তেওঁ অৱশ্যে এই কাৰ্য্যনিৰ্ব্বাহতযে অনেক সহায় পাইছিল, তাক কোৱা বাহুল্য মাথোন। ৺লম্বোদৰ বৰা, শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা (ৰায় বাহাদুৰ), ৺ৰত্নেশ্বৰ মহন্ত, শ্ৰীযুত কনকলাল বৰুৱা (ৰায় বাহাদুৰ), ৺লক্ষেশ্বৰ শৰ্ম্মা, শ্ৰীযুত ৰজনীকান্ত বৰদলৈ, ৺পাণীন্দ্ৰনাথ গগৈ ইত্যাদিৰ প্ৰবন্ধেৰে জোনাকীৰ জেউতি চৰি পৰিছিল। ৺ৰত্নেশ্বৰ-মহন্তৰ "মোৱা-মৰীয়া বিদ্ৰোহ" নামৰ বহুমূলীয়া প্ৰবন্ধবোৰ এই বছৰৰ "জোনাকী"তে ওলাইছিল। শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীৰ উল্লেখযোগ্য সুন্দৰ "জোনাকী" কবিতাই এই বছৰৰ প্ৰথম সংখ্যা "জোনাকী"ক প্ৰথমতে আদৰি নি ৰাইজৰ সভাত বহুৱাই দিছিল। এই লেখকৰ নগণ্য "পদুমকুঁৱৰী" উপন্যাসো এই বছৰৰ "জোনাকী"তে।

চতুৰ্থ বছৰৰ "জোনাকী"ও এই লেখকৰ সম্পূৰ্ণ সম্পাদনাত পৰিচালিত। পঞ্চম বছৰত মই যদিও "জোনাকী"ত অনেক ৰচনা দিছিলোঁ, কিন্তু সম্পাদক হৈ আৰু থকা নাছিলোঁ। "জোনাকী" ১৮ নং আম্‌হাৰ্ষ্ট ষ্ট্ৰীটৰপৰা সেই মেছবাসী অসমীয়া ছাত্ৰ-সকলৰ দ্বাৰা পৰিচালিত হবলৈ ধৰিলে। শ্ৰীযুত সোণাৰাম চৌধুৰী সেই বছৰৰ "জোনাকী" প্ৰকাশক। যি হওক, প্ৰবন্ধ গৌৰবত এই বছৰৰ "জোনাকী"য়েও আগৰ কেইবছৰৰ "জোনাকী"ৰ সন্মান অক্ষুণ্ণ ৰাখিব পাৰিছিল বুলি মোৰ বিশ্বাস। ষষ্ঠভাগ "জোনাকী"ৰ প্ৰকাশক শ্ৰীযুত মীনধৰ হাজৰিকা। এই ভাগৰ সম্পৰ্কেও পঞ্চম ভাগৰ সম্বন্ধে কোৱা কথা নাখাটিবৰ কাৰণ নেদেখোঁ। ইয়াৰ পিছত "জোনাকী"য়ে আকাৰ সলাই ডাঙৰ আকৃতিৰে শ্ৰদ্ধাস্পদ সাহিত্যিক সুলেখক শ্ৰীযুত সত্যনাথ বৰা বি. এল. ডাঙৰীয়াৰ সম্পাদকতাত গুৱাহাটীৰপৰা ওলাবলৈ ধৰে। তাৰপৰাই ৩ বছৰৰ ৩ ভাগ ওলাই "জোনাকী চিৰকাললৈ অন্তৰ্দ্ধান হয়। কোৱা বাহুল্য যে বৰা ডাঙৰীয়াৰ বিচক্ষণ হাততো "জোনাকী"ত মোৰ "আজিছি", "চেনিচম্পা", "কেকো ককা", "জয়ন্তী" "পুত্ৰবান পিতা" নামৰ সৰু গল্পবোৰ ওলায়।

২নং ভবানীচৰণ দত্তৰ লেনৰ মেছত থাকোঁতেই আমি ভ্ৰমৰঙ্গৰ ভাৱনা কৰোঁহক। ভ্ৰমৰঙ্গ ছেক্সপি-য়েৰৰ "কমিডি অৱ্ এৰ্ৰ্ছ"ৰ অসমীয়ালৈ ভাঙনি। ৺ৰত্নেশ্বৰ বৰুৱা, শ্ৰীযুত ৰমাকান্ত বৰকাকতী, শ্ৰীযুত গুঞ্জানন বৰুৱা, ৺ঘনশ্যাম বৰুৱা এই চাৰি-জনে গোট খাই এই ভাঙনি কৰে। শ্ৰীযত শিৱৰাম বৰদলৈ আৰু এই লেখক সহায়ক হয়। এই কাৰ্য্যত আগৰপৰা অন্তলৈকে ৺ৰত্নধৰ বৰুৱাৰ বৰ উৎসাহ আছিল। ভ্ৰমৰঙ্গ নামটো শ্ৰীযুত শিৱৰাম বৰদলৈৰ দান। তেওঁ "ভ্ৰমৰং ভ্ৰান্তিমূলং" বুলি তাৰ সংস্কৃত ব্যুৎপত্তি (derivation) উলিয়াই আমাক হঁহুৱাইছিল।

অষ্টম আধ্যা

তেতিয়া মই জেনেৰেল্ এছেম্‌ব্লি কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীত। "পলগ্ৰেভ্‌ছ্ গোল্ডেন্ ট্ৰেজাৰি অৱ্ লিৰিক্স্" নামৰ ইংৰাজী কবিতাৰ সংগ্ৰহ মোৰ পাঠ্য। তাৰ উপৰি বাইৰন, শ্যেলি, কীট্‌ছৰ কবিতাবোৰ আৰু কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ কবিতাবোৰ লিখিছোঁ। কবিতাৰ ৰবসুপৰ জাকৰ ওপৰত জাক পৰি মোৰ মন একেবাৰেই "প্ৰেমৰস"ত আৰ্দ্ৰ। মোৰ মনৰ বহল পথাৰখন বাইৰনৰ কবিতাই কোৰনালে, শ্যেলিৰ কবিতাই হাল বালে, কীট্‌ছৰ

কবিতাই মৈয়ালে আৰু ৰবীন্দ্ৰৰ কবিতাই এনে কৰিলে যে তাত লাহী ধানৰ কঠীয়াৰতো কথাই নাই, বিহমনা, কোট্‌কোৰা, পথৰুৱা বিহলঙনি আৰু চোৰাতকে আদি কৰি যিহবে গুটি হওক পৰিলেই, গিয়েই ভৰভৰ কৰি গজি "মোক চা" "মোক চা" কৈ উঠিব। বঙালীয়ে কবৰ নিচিনা, তেতিয়া মোৰ মনৰ "অবস্থা সঙ্গীন"; অৰ্থাৎ বন্দুকত "সঙ্গীন" (bayonet) চৰোৱা বিধৰ। সপোনত কেনেবাকৈ মই বিতচকু এযোৰ পালোঁ। সেই অপৰূপ বিতচকুযোৰৰ গুণত মই জগৎ গোটেইখনকে সুন্দৰময় দেখিবলৈ ধৰিলোঁ।

I slept and dreamt that life was beauty.

যিপিনেই চাই পঠিয়াওঁ সেইপিনেই পুঞ্জীভূত সৌন্দৰ্য্য, স্তুপীকৃত মাধুৰ্য্য, ৰাশীকৃত আনন্দ। জলত মধু, থলত মধু, মানুহত মধু, ফলত মধু। আকাশে মধু বৰষিছে, বতাহে মধু বলাইছে। মোৰ মনত প্ৰেম আৰু ভালপোৱা এই দুটাৰ chemical combination অৰ্থাৎ ৰাসায়নিক সংমিশ্ৰণ ঘটি ভয়ানক খেলি-মেলি লাগি পৰিল। এজনী চিলনীৰ দৰে এছাটি মলয়া বতাহে, "চিলনীৰ জীয়েক"ৰ দীঘল চুলি যেন মোৰ দীঘল মনটো উৰাই নি কৰবাত তুলিলে; মন উধাও, উদাস হল। ক্ষন্তেকে ক্ষন্তেকে তাৰ পৰিবৰ্ত্তন। এবাৰ সি ৰঙৰ ৰহ-ঘৰা আৰু চকু-চাওঁতেই অভাৱৰ তাড়নাত অথিৰ।—

সুখ ভৰা এ ধৰায়
মন বাহিৰিতে চায়,
কাহাৰে বসাতে চায় হৃদয়ে।
তাহাৰে খুজিব দিক-দিগন্ত।

মন উৰি গৈ কোনোবা নজনা-নুশুনা দেশত ওলাই মোৰে নিচিনা কোনবাই কত বীণ বাই প্ৰেমৰ সুমধুৰ সুৰেৰে নিজক মতলীয়া আৰু জগতক বলিয়া কৰিছে; মোৰে নিচিনা কাৰ চকুৱে চিকুণ পুৱাৰ পোহৰ পোহৰাইছে, চাবলৈ ব্যাকুল হৈ উঠিল।—

যেমন দখিণে বায়ু ছুটেছে।
কে জানে কোথায় ফুল ফুটেছে।
তেমনি আমিও যাব
নাজানি কোথায় দেখা পাব।
কাৰ সুধাস্বৰ মাঝে
জগতেৰ গীত বাজে,
প্ৰভাত জাগিছে কাৰ নয়নে।
কাহাৰ প্ৰাণেৰ প্ৰেম অনন্ত।
তাহাৰে খুঁজিব দিক্-দিগন্ত।

থকা ঘৰৰ তিনি মহলাৰ চালত উঠি অকলৈ নিস্তব্ধ নিশা পূৰ্ণিমাৰ জোনৰ ফালে অনিমেষে চাই থাকি টোপনিক ওচৰ চাপিবলৈ নিদিয়া হলোঁ। কৰবাত ফুল এটা ঘূটলি পালে, তাকে চকুৰ আগত লৈ ঘূৰাই-পকাই তাৰে ৰেহ-ৰূপ চাই ৰঙত বিভোৰ হবলৈ ধৰিলোঁ। মোৰ গঢ়-গতি দেখি কোনোবাই "সেইটো কি?" বুলি সুধিলে মই উত্তৰ দিওঁ,—

আমি স্বপনে ৰয়েছি ভোৰ
সখি, আমাৰে জাগাইও না।

মনত আছে, এদিন ওলোটা ৰথৰ দিনা শিয়ালদহৰ ফালে ৰহা হাটৰপৰা ছটা পইছা দি তিনিজোপা গোলাপ-গছ কিনিলোঁ। তিনি অনা দুই পইছাৰে তিনিটা মাটিৰ "টব্" বা "পট" (গামলা) আৰু মাটি কিনি আনি সেই টবত গোলাপ তিনিজোপা ৰুই পানী দি পতি কৰিবলৈ ধৰিলোঁ। গোলাপৰ ওচৰত বহি গোলাপক সোধোঁ,—

বল গোলাপ মোৰে বল্,
তুই ফুটবি সখি কবে?
চাঁদ হাসিছে সুধা হাস,
বায়ু ফেলিছে মৃদু শ্বাস,
পাখী গাইছে মধু ৰবে,
তুই ফুটিবি সখি কবে?

এমাহমানৰ মূৰত যেতিয়া তাৰে এজোপাই এটা কলি পেলালে মোৰ মহা আনন্দ, মহা উছাহ,— যেন মই পুত্ৰ-ৰত্নহে লাভ কৰিবলৈ গৈছোঁ। কলিটো ফুলিল। মেমেৰা গছৰ মেমেৰা কলি, মেমেৰা ফুল। কিন্তু, হলে কি হব, তথাপি সি মোৰ চকুত পদ্মলোচন। মোৰ আনন্দৰ পাৰ নাই। ফুলটোৰে সৈতে কথা পাতোঁ, আৰু তাক ছুই ছুই মৰম কৰোঁ। এনেকৈ হাত লগাই মৰম কৰোঁতে এদিন তাৰ পাহিবোৰ পৰিল সৰি। মোৰ চকুত পানী ওলাই গল। বুজিলোঁ মৰমৰ আলসুৱা বস্তুক এইদৰে দোৰাম্ভা কৰিবলৈ গলেই এনে ফল হয়। থিৰ কৰিলোঁ আজিৰপৰা মৰমৰ সমলক দূৰৰ পৰাহে মৰম কৰিম। মনত খেলালে, জোন-তৰাক, এই দেখিয়েই আমি হাত লগাব নোৱাৰাকৈ ঈশ্বৰে দূৰৈত থৈ দিছে। জোন-তৰা মানুহৰ হাতে চুকি পোৱাহেঁতেন, মানুহে দুদিনতে সিহঁতৰ কণ-কঠীয়া মাৰিলেহেঁতেন। আমাৰ ভিতৰৰ কাজুৱাসকলে নিশ্চয় তাত কল-কাৰখানা (workshop) বহুৱাই নাগৰাটি পোৱা চিম্‌নিৰ ধোঁৱাৰে জোন আৰু তৰাক চুৱা চকৰ তলি যেন কৰি পেলালেহেঁতেন। যি হওক, মনৰ দুখ মনতে গুপুত কৰি থৈ আকৌ ন ফুলৰ আশাৰে গোলাপ-গছ কেইজোপাত পানী-দুনি

দি যত্ন কৰিবলৈ ধৰিলোঁ। এদিন আমাৰ দেশৰ এজন ব্যৱসায়-বাণিজ্য কৰোঁতা ভদ্ৰলোক বন্ধুৱে মোৰে সৈতে দেখা কৰিবলৈ আহি, মোক সেই মেমেৰা গোলাপ-গছ কেইজোপা এইদৰে "টব"ত কই যত্ন কৰা দেখি মিচিকিয়া হাঁহি মাৰি কলে, "বাৰু এইকেইডাল টবত ইমানকৈ যত্ন কৰি কই কি লাভ হৈছে? ইয়াতকৈ যদি তিনিজোপা মৰিচৰ গছ ইয়াত ৰুলাইতেন তেন্তে ভাত খাবলৈ দুই-চাইটা মৰিচকে পালাইতেন।" কথাষাৰ মোৰ আমঠু সৰকি গ'ল; ভাবিলোঁ কি unpoetic মন্তব্য! ইয়াৰ কিছু দিনৰ পিছত মোৰ ইমান আপুডাল সত্বেও গোলাপ গছ কেইজোপা হালধীয়া পৰি মৰি গ'ল। ভাবিলোঁ, গোলাপে ব্যৱসায়ী বন্ধুৰ সেই নিদাৰুণ নিৰ্ম্মম মন্তব্য শুনি অভিমানত প্ৰাণ পৰি-ত্যাগ কৰিলে।

মোৰ তৰ্-চেঙেলী মনটোক লৈ এইদৰে কলৰ-জপৰ কৰি থাকোঁতেই, এদিন দলঙাত শাল মাছ পৰাদি ঘপহ কৰে পৰিলোঁ—প্ৰেমত! নকলেও হব যে এজনী সুন্দৰীৰ। হায়, কি চকু, কি মুখ, কি চুলি! আহা কি ৰূপ! অৰণ্যে সেই কালৰ মোৰ হৈহে এই "হায়"! "হায়"! "আহা"! "ইহি"! বোৰ উচ্চাৰিত। ভাবিলোঁ, এই বস্তুটিৰে আজি অত দিন মই হাবাথুৰি খাই বিচাৰি ফুৰিছিলোঁ। তেতিয়াই ঠাকুৰ কবিৰ গান মোৰ মুখেদি ফুটি ওলাল,-

আমাৰ পৰাণ যাহা চায়,
তুমি তাই, তুমি তাই গো!
তোমা ছাড়া আৰ এ জগতে
মোৰ, কেহ নাই কিছু নাইগো!

মোৰ হৃদয়ত ভাবৰ লহৰী উঠিল। আন সকলো চিন্তা-চৰ্চ্চা সেই লহৰীয়ে উটাই নিলে। ৰূপহীৰ আগত নিৱেদন জনালোঁ,—

তোমাৰ সকলি ভাল লাগে
ওই ৰূপৰাশি!
ওই খেলা, ওই গান, ওই মধু হাসি
ওই দিয়ে আছ ছেয়ে জীবন আমাৰি,
কোথায় তোমাৰ সীমা ভুবন মাঝাৰে!

কিন্তু ৰূপহী নিমাত। অথচ ৰূপহীৰ মুখৰ ভাৱ-ভঙ্গীত মোৰ সকলো নিৱেদনৰ সঁহাৰি পাওঁ। যি হওক, নিমাতী কন্যাৰ উদ্দেশ্যে ইংৰাজী, বঙলা অসমীয়া এই তিনি ভাষাত প্ৰেম-কবিতা (love-poem) ৰচনা কৰি মোৰ কলেজ ক্লাছৰ নোট লেখা এক্সৰ্ছাইজ বহীকেইটা ভৰাই পেলালোঁ। তেতিয়াৰ চালত অকলে অকলৈ ভৰি চলাই আত লগাই ইংৰাজী গান ধৰোঁ,—

Her hands are white as snow,
O white as snow!
O Brignal banks are wild and fair
Greta woods are green!

এদিন, "Her hands are white as snow" গাওঁতেই এজনে শুনি পিছফালে থিয় দি সুধিলে, "বোলোঁ বৰুৱাদেও, কাৰ হেণ্ডছ আৰ হোৱাইট্ এজ্ স্নো?" মই উচপ খাই উভতি চাই লাজত ৰঙা পৰি পকা থেকেৰাটো যেন হলোঁ। কিন্তু ততালিকে নিজক চম্ভালি প্ৰকৃতিস্থ হৈ সেই প্ৰশ্নৰ উত্তৰ নিদি আন কথা উলিয়াই সেইটো ঢাকি পেলালোঁ।

ইয়াৰ পাছত ভাবিলোঁ, মোৰ এই অমূল্য কবিতা-বোৰ মাহেকীয়া কাকতৰ পাতত তুলি অমৰ কৰি ৰাখিব লাগিল। মোৰ ৰচিত ইংৰাজী কবিতা-ৰত্নবোৰ (gems) কলৈ পঠিয়াম ভাবি নেপালোঁ। অসমীয়াবোৰ "জোনাকী"লৈ পঠিয়াকে থিৰ কৰি হঠাৎ মনত খেলালে—যদি মোৰ লগৰীয়াবোৰে এই কবিতাৰ যোগৰ বাতৰি পাই পুঃ উলিয়াই লৈ হাড়-ভঙা ঠাট্টা-তামোচা কৰে, তেনেহলে হৈছে আৰু! ইয়াকে ভাবি সেইফালে দুৱাৰ নেমেলাটোকে পিছত থিৰ কৰিলোঁ। দুৱাৰ নিৰ্ব্বিঘ্নে মেলিব পাৰি মাথোন এখন। সেইখন বঙলা কবিতা-বোৰলৈ। বোলোঁ আভুৱা নাম এটা দি এটা দুটাকৈ বঙলা মাহেকীয়া কাকত দুখনলৈ সেইবোৰ নপঠি-যাওঁ কিয়? এইটোকে সৰোগত কৰি দিলোঁ দুখন বঙলা কাকতলৈ মোৰ দুটা প্ৰেমৰ কবিতা পঠিয়াই। আভুৱা নাম ললোঁ "শ্ৰীবঙ্কলাল চট্টোপধ্যায়"। এমাহ গ'ল, দুমাহ গ'ল, মোৰ কবিতা-কোৱাৰ্ম্মণি দুৱাৰিৰ কোনো উৱাদিহ নেপালোঁ। কাকত দুখন আহিলেই আথে-বেথে মেলোঁ, আৰু পাত লুটিয়াই চাই মোৰ কবিতা-ভৈয়াই দুটিৰ মুখ নেদেখি জঁয় পৰি যাওঁ। অলপৰ পিছতে, অহা মাহত ওলাব বুলি আকৌ সঁজাল ধৰোঁ, কিন্তু "পুনৰেৰ পাপী, পুনৰেৰ দৰিদ্ৰ"।

শেহত সম্পাদক দুজনলৈ দুখন চিঠি লিখিলোঁ মোৰ কবিতা পাইছেনে নাই? যদি পাইছে ছপা হবনে নহয়? যদি নহয়, মোলৈ যেন ওলোটাই পঠিয়া হয়, কাৰণ মই তাৰ নকল ৰখা নাই। দুই সম্পাদকলৈ লেখা দুখন চিঠিৰ ভিতৰত দুটা ডাক-টিকট সুমাই দিলোঁ। আৰু পুঃ বুলি তলতে এশাৰী যোগ কৰি দিলোঁ যে মই তেওঁলোকৰ কাকতৰ গ্ৰাহক, আৰু হিতাকাঙ্ক্ষী।

এজন সম্পাদক নিশ্চয় অৰসিক বা বেৰসিক। তেওঁৰপৰা উত্তৰ আহিল,—"আপনাৰ কবিতাটি

ছাপাইবাৰ অযোগ্য। ফেৰৎ পাঠাইলাম।" আন জন যে ৰসিক তাৰ ভুল নাই। তেওঁ লেখিলে,—"আপনাৰ কবিতাটি আমাৰ ৱেষ্ট পেপাৰ বাস্কেটে যত্নপূৰ্ব্বক ৰেখে দিয়েছি। সেখান থেকে তুলে নিয়ে আপনাৰ কাছে পাঠাতে কষ্ট হল। পাৰিলাম না ক্ষমা কৰিবেন। আপনি নিশ্চয় স্কুল কি কলেজেৰ ছাত্ৰ। কবিতা লিখিবাৰ বৃথা প্ৰয়াস পৰিত্যাগ কৰিয়া পাঠ্য পুস্তকে মনোযোগ দিলে বাধিত হব।" এই উত্তৰ পাই মই খণ্ডত ঘৃতাহুতি হলোঁ। ৰসিক সম্পাদকৰ ৰসটোপা চেপি উলিয়াই দিওঁ বুলি গালি পাৰি তেওঁলৈ এখন চিঠি লেখি দিলোঁ। চিঠিৰ মৰ্ম্ম এই যে, তেওঁ কাকতৰ সম্পাদকতা কৰিবৰ উপযুক্ত নহয়। কাৰণ প্ৰকৃত কবিতা কাক কয় তেওঁ নুবুজে। তেওঁৰ কাকত ৰাজ্যৰ অপদাৰ্থ প্ৰবন্ধেৰে ভৰপূৰ, সেই দেখি মই তেওঁৰ কাকতৰ পাতেৰে মোৰ জোতাৰ ধূলিহে মচোঁ, ইত্যাদি। সম্পাদকে মোৰ এই চিঠিৰ কোনো উত্তৰ নিদিলে। মই ভাবিলোঁ মোৰ পৰা এসেকা পাই সম্পাদকৰ ৰস শুকাল। কিন্তু সম্পাদকৰ যি হওক নহওক, এই ঘটনাৰ পিছত মই নিজেই দমি গলোঁ, আৰু মোৰেই কবিতাৰ ভুমুকটো শুকাল। আনফালে নিমাতী কন্যাৰ মাত উলিয়াব নোৱাৰিও হতাশ হৈ চেঁচা পৰি গলোঁ।

এইখিনিতে ঘটনাটোৰ ভেদ ভোঁহাৰি দি কওঁ যে—মই এদিন চান্দনি বজাৰত "ডছন"ৰ জোতা এযোৰ কিনিবলৈ গৈছিলোঁ। জোতাৱালাই বোধ কৰোঁ মোক ঠগাই জোতাৰ বেচ সৰহকৈ লৈ মনত হৰ্ষ লভি, ভৱিষ্যতত মোক আকৌ তেনেকৈ ঠগা-বলৈ পাবলৈ আশা ৰাখি বাৰত আঁৰি থব পৰা বিলাতত ছপা হোৱা এখন date calendar অৰ্থাৎ তাৰিখৰ কাকত,বঁটা বা টোপ দিছিল। কেলেণ্ডাৰ-খনত এজনী সুন্দ্ৰী ইংৰাজ ছোৱালীৰ এটা ডাঙৰ ছবি আছিল। সেই ছবিৰ "প্ৰেমতে পৰি" মই তিনি-চাৰি মাহমান ওপৰত কোৱাৰ দৰে কক্‌ৰকাই ফুৰিছিলোঁ। কিমধিকমিতি।

কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীটো আন ছাত্ৰৰ পক্ষে কেনে হয় কব নোৱাৰোঁ, কিন্তু মোৰ পক্ষে হলে সি মহা মস্কিলৰ ব্যাপাৰ হৈ পৰিছিল। তৃতীয় বাৰ্ষিকত মই এটা অপৰূপ জন্তু হৈ পৰিছিলোঁ, যাক ভূচৰ, খেচৰ, জলচৰ, স্থলচৰ, ইয়াৰ কোনো পৰ্য্যায়ভুক্ত কৰিব নোৱাৰি বিশ্বচৰাচৰৰ বাহিৰত থব লগীয়া হৈছিল। শ্যেলি, বেইন, হিউম, বেন্থাম, কল্‌ভৰ, উচ্‌ প্ৰভৃতি মেণ্টেল্‌ আৰু মৰেল্‌ ফিলজফিৰ পাতচেৰেক লুটিয়ালেই মই আঁকোৱালে নোপোৱা দাৰ্শনিক; এডেম স্মিথ আৰু ফচেটৰ পলিটিকেল ইকনমিৰ সূত্ৰ গোটাচেৰেক মুখস্থ কৰিয়েই বিদগ্ধ পলিটিকেল ইকনমিষ্ট; ইংৰাজ গ্ৰন্থকাৰৰ ৰচিত ইংলেণ্ড আৰু ভাৰতবৰ্ষৰ বুৰঞ্জীৰ অধ্যায়চেৰেক আয়ত্ত কৰিয়েই প্ৰকাণ্ড হিষ্টৰিয়ান; বাৰ্কৰ বক্তৃতাৰ দুৰ্গ গোটাদেক প্ৰফেছৰৰ নোটৰ সহায়েৰে "ৰবাৰ্ড" কৰিয়েই ৰাজনীতিবিদ্‌ পলিটিকেল ফিলজফৰ; মিল্‌টনৰ "পেৰেডাইজ লষ্ট"ৰ এডোখৰ মোৰ বিদ্যাৰে "ৰিগেইন" কৰিবলৈ দৰখাস্ত দাখিল কৰিয়েই মই মহাকবি হৈছিলোঁ। শ্যেলি, কীট্‌ছ্‌, টেগৰৰ আহিতে গীত-কবিতা আৰু খণ্ড-কবিতাত মোৰ পক্ষিৰৰ মতলবৰ বাতৰিটো আগতে দিয়েই আছিছোঁ। মই কথায় কথায় উল্লিখিত গ্ৰন্থকাৰসকলৰ দোহাই দিওঁ; আৰু সেইসকলৰ মত আৰু কথাবোৰ মোৰ মন "বটতলা"ৰ সস্তা ছপাখানাত, ছপাখানাৰ ভূতৰ সহায়েৰে পাচিয়ে পাচিয়ে ভুলকৈ পুনৰ্ম্মুদ্ৰিত কৰি নতুন তাজৰণ বুলি সকলোৰে আগত প্ৰকাশ কৰি আত্ম-প্ৰসাদ লাভ কৰোঁ। মই সকলো কথাতে এনে opinionative অৰ্থাৎ নিজৰ মতত মই-বৰ-চন্দ্ৰ হৈ উঠিছিলোঁ যে আজিকালি সেইটো মনত পৰিলেও মোৰ ওকালি আহিব খোজে। স্বমতত অত্যাসক্ত আৰু পৰমতত অসহিষ্ণু মই নিজক ডাঙৰ-লোক ভাবিবলৈ ধৰিলোঁ আৰু লোকৰ সকলো কথাকে "ক্ৰিটিচাইজ" (সমালোচনা) কৰি "এইসা নাহি হো সেক্তা", "তেইসা নাহি হো সেক্তা" আৰু নিজৰ মতানুযায়ীটো "অলবৎ হো সেক্তা" বুলি মূৰৰ মই-বৰ-পাগুৰি দুপিয়াবলৈ ধৰিলোঁ। মূঠতে শৰ্ম্মা ৰাজ-নীতিত বাৰ্ক, পিট, ফক্স, দাদাভাই নৌৰজী, সুৰেন্দ্ৰ বানুৰ্জ্জী, দৰ্শনত বেইন, হিউম, বেন্থাম, শ্যেলি; সমাজ-সংস্কাৰত ৰাণাডে, কেশৱ সেন; স্ত্ৰী-শিক্ষাত ছিড্‌লি স্মিথ; গীতি-কবিতাত বাইৰন, শ্যেলি, কীটছ, টেগৰ; আৰু মহাকাব্যত মিল্টন, মধুসূদন হৈ নিজৰ মনৰূপী মহাকাশত প্ৰকাশ হলোঁ। মোৰ মনত মিল্টনৰ পেৰেডাইজ লষ্টৰ নিচিনা মহাকাব্য এখন ৰচনা কৰিবৰ মহাভাৱ এটাৰ সচা-সঁচিকৈয়ে "পয়দা" হল। এদিন তুলাপাত কিনি আনি বহী এখন বান্ধি লৈ সঁচা-সঁচিকৈয়ে মই মাইকেলী ধৰণেৰে অমিত্ৰাক্ষৰ ছন্দত মোৰ কল্পিত মহাকাব্যৰ এবুৰি-ছুৰ্অঁৰা পদৰ শাৰী লেখি পেলালোঁ। আকাশ-লঙ্ঘা কল্পনাৰ কাকিনী-তামোলৰ আগত লগা তামোলখোকাৰ পকা তামোল এটাৰ সেই বেটুটো মই ক'ত হেৰুৱালোঁ ক'ব নোৱাৰোঁ, আজি সেইটো বিচাৰি পোৱাহেঁতেন জীৱন-সৌৰবণৰ পাঠকসকলৰ চকুৰ আগত সেইটো থৈ "মাইওচিন-যুগ"ৰ (Miocene Age) এই মহাকবিৰ মহাকাব্যৰ তামোলখোকা কেনেকুৱা হলহেঁতেন তাৰ আভাস দিব পাৰিলোঁহেঁতেন। শ্যেক্সপীয়েৰৰ হেম্‌লেট, কিং জন, হেন্‌ৰী আৰু মিছ্‌ছামাৰ নাইট্‌ছ্‌ ড্ৰীম কলেজত মোৰ পাঠ্য

আছিল। ভাবিলোঁ ময়ো তেনে অপূৰ্ব্ব নাট খন-চেৰেক অসমীয়াত ৰচনা কৰি অসমীয়া সাহিত্য-ভঁৰালত যুগমীয়া কীৰ্ত্তি থৈ যাম। ইয়াকে ভাবি, প্ৰথমতে হেম্‌লেটৰ আৰ্হিত "হেমচন্দ্ৰ" নাম দি নাট এখন লেখিবলৈ মনস্থ কৰি, ভাৱৰীয়া-ভাৱৰীয়ানীৰ নামবোৰ থিৰ কৰি, প্ৰথম অঙ্কৰ দুটা কি তিনিটা দৰ্শন লেখি পেলালোঁ। আকৌ ভাব-সাগৰত আন ঢৌ উঠিল, "হেমচন্দ্ৰ"ক সেইখিনিতে "দম" লবলৈ এৰি থৈ, মিড্‌ছামাৰ নাইট্‌ছ ড্ৰীমৰ নিচিনা আন এখন নাট ৰচনাত হস্তক্ষেপ কৰিলোঁ। এইখনৰ নামকৰণ কৰা হল "দিনৰ সপোন"। ইয়াৰো এখটুৰা ৰাছি থৈ এৰি আন কিবা এটা ঢৌত খৰ মাৰি দিলোঁ।

শম্ভুচন্দ্ৰ মুখুৰ্জীৰ "ৰেইজ এণ্ড ৰায়েৎ," আৰু ৰাৰিষ্টৰ-প্ৰফেছৰ এন. এন. ঘোষৰ "ইণ্ডিয়ান নেশ্যন" নামৰ কাকত দুখনৰ ইংৰাজী লেখাৰ গঢ় মোৰ বৰ ভাল লাগিছিল। দুইখন কাকতৰ মই গ্ৰাহক হৈ ললোঁ, আৰু তাৰ ইংৰাজী বাক্যবচনবোৰ যথাসাধ্য মুখস্থ কৰিবলৈ ধৰিলোঁ। মনে মনে থিৰ কৰিলোঁ যে বি. এ. পাছ কৰি ওঁতাই তেনে গঢ়ৰ এখন সাদিনীয়া অসমীয়া-ইংৰাজী বাতৰি কাকত উলিয়াই দিম; তাৰ নাম থম "অসমীয়া"—"The Assamese"। এইখিনিতে কওঁ যে মই সুৰেন্দ্ৰ বাবুৰ বৰ admirer (ভক্ত) আছিলোঁ। মহাৰাণীৰ বৰ নাতিয়েক প্ৰিঞ্চ এল্‌বৰ্ট ভিক্টৰৰ ভাৰত-আগমনৰ উপলক্ষ্যে কোনো এটা ভাল কাৰ্য্য কৰিবৰ নিমিত্তে যেতিয়া কলিকতাত আন্দোলন উপস্থিত হল তেতিয়া এন্‌. এন্‌. ঘোষৰ "ইণ্ডিয়ান নেশ্যনে", সুৰেন্দ্ৰ বাবুৰ "লেপাৰ এছাইলাম' স্থাপন কৰিবৰ প্ৰস্তাৱৰ বিৰুদ্ধাচৰণ কৰি বাজী পোৰা আৰু বাইজী নচুৱাৰ প্ৰস্তাৱ সমৰ্থন কৰিবলৈ ধৰিলে। সেই দেখি এন্‌. এন্‌. ঘোষৰ ওপৰত মোৰ খং উঠিল, আৰু তেওঁৰ কাকতৰ ওপৰত থকা মোৰ ভক্তিৰ কফুৰফেৰা উৰি গল। মই "ইণ্ডিয়ান নেশ্যন" কাকতৰ গ্ৰাহকৰ শাৰীৰপৰা নাম কটালোঁ। শম্ভু মুখুৰ্জীৰ কাকতৰ বিষয়তো সেই কথাই ঘটিল। এই-খিনিতে অবান্তৰভাৱে কওঁ যে শুনিছিলোঁ, শম্ভু মুখু-ৰ্জীয়ে ওৰে-ৰাতি কানিৰ টিকিবা পুৰি, তেওঁৰ "ৰেইজ এণ্ড ৰায়েৎ"—কাকত লিখে আৰু বেলি দুপৰলৈকে শুই থাকি আবেলিৰ পৰা সজাল৺ধৰি ৰাতি কাকত লেখিবলৈ সাজু হয়। শুনা কথা, সচা-মিছা নাজানো। মোৰ একো একোবাৰ মনত খেলাইছিল যে শম্ভু মুখুৰ্জীৰ নিচিনা বাছকবনীয়া ইংৰাজী লেখিবলৈ দুই-চাইটা কানিৰ টিকিবা পুৰিব লাগিব। কিন্তু বাস্তৱিকতে কানি খোৱাটো বৰ হেয় কাৰ্য্য বুলি মোৰ সদায় ধাৰণা, সেই দেখি, সেই সঙ্কল্প nebulous অৰ্থাৎ এৰাঁ অৱস্থাতে এৰি, কাৰ্য্যকালত বি হয় এটা কৰা যাব বুলি থৈছিলোঁ। এতিয়া এন্‌. এন্‌. ঘোষৰ লগতে শম্ভু মুখুৰ্জীকো বিদায় দি মোৰ "অসমীয়া"ৰ ইংৰাজীৰ গা'ৰ স্নানে সতা-কথা এৰি দিলোঁ। দৰ্শন-শাস্ত্ৰৰ তৰ্কত মই দুই মুনিহে আঁকোৱালি নোপোৱা ইমান ডাঙৰ তাৰ্কিক হৈ পৰিছিলোঁ যে মোৰ তৰ্কৰ বা-মাৰলীত তেত্ৰিশ কোটি দেৱতাৰে সৈতে হিন্দুৰ ঈশ্বৰ, মাইকেল্‌ গেব্ৰিয়েল আৰু মোল্লা মৌলাধৰে সৈতে হজৰত মহম্মদৰ আল্লা-হো-আকবৰ, আৰু ভাৰ্জিন মেৰীৰে সৈতে যীশু খ্ৰীষ্টৰ "গ্ৰেট ফাদাৰ গড্‌"ৰ সিংহাসন উৰি গৈ বিশ্বব্ৰহ্মাণ্ডৰ ভিতৰত থাকিবলৈ ঠাই নাপাই বাহিৰৰ কৰবাত পৰিছিলগৈ। সৃষ্টি কৰিলে ঈশ্বৰে, ঈশ্বৰক কৰিলে কোনে? এই প্ৰশ্নৰ উত্তৰ মোক কোনেও দিব নোৱাৰিলে দেখি মই, ঈশ্বৰ আছে যদি যতে মন ততে থাওক, তেওঁক আমাক নেলাগে বুলি সিদ্ধান্ত কৰি ওকোন্দ পাতি ফুৰিবলৈ ধৰিলোঁ। কলিকতা চহৰৰ যতে যি বিষয়ৰ public lecture অৰ্থাৎ সৰ্ব্ব-সাধাৰণৰ উপস্থিতি-প্ৰাৰ্থক বক্তৃতা হৈছিল, বদেই হওক বা বৰষুণেই হওক, ততে শৰ্ম্মা টৌ টৌ কৰে ওলাইছিলগৈ; আৰু বক্তৃতাৰ ভিতৰৰ ভাল ভাল কথাবোৰ নোট বুক এটাত সংক্ষেপকৈ টুকি আনি ঘৰত পাগুলিছিলহি; আৰু বক্তাৰ যিবোৰ কথা তেওঁৰ মনে-চিতে নাখাইছিল সেইবোৰৰ বিষয়ে তুমুল আলোচনাৰ ধোঁৱা উৰাই দি তেওঁৰ মেছবাসী লগৰীয়াসকলৰ চকু ধুঁৱলি-কুঁৱলী কৰি দিছিল।

ইংৰাজী etiquette অৰ্থাৎ দস্তুৰত দোৰস্ত নোহোৱা বঙালীয়ে কোনো নতুন মানুহেৰে সৈতে দেখা হলে "মহাশয়েৰ নামটা কি?", "মহাশয়েৰ নিবাস কোথায়?", "কি কৰেন?", "কত মাহিয়ানা পান?" ইত্যাদি অশিষ্ট (rude)—অৱশ্যে কোনো বেয়া অভিপ্ৰায়েৰে বা ৰুক্ষ হবৰ মনেৰে নহয়—প্ৰশ্ন কৰি আলাপ-পৰিচয়টো জমজমাই লব খোজে; কাৰণ তেনে কৰাটোত যে কোনো অন্যায় বা অসঙ্গতি আছে, সেইটো তেওঁলোকৰ মনত নেখেলায়। নতুন ছাত্ৰাৱ এই লেখকে কোনো কোনো নিৰীহ বঙালী ভদ্ৰলোকৰপৰা তেনে প্ৰশ্ন শুনি কিলাবলৈ কেইবাৰাৰো উঠাও মনত আছে। পৰাপক্ষত সেই দেখি ৰেলত বা ষ্ট্ৰীমগাড়ীত লৰোঁতে তেওঁ কোনো বঙালী ভদ্ৰলোকেৰে সৈতে কথা নাপাতিছিল, আৰু কোনোবাই তেওঁৰে সৈতে কথা পাতিব খুজিলেও তেওঁ এনে গোমোঠা-মুৱা হৈছিল যে কথা পাতিব খোজোঁতাই আৰু কথাৰ শৰাই লৈ এখোজো তেওঁৰ ফালে আগ বাঢ়িব নোৱাৰিছিল। এদিনৰ আৰু এটা ঘটনাৰ পিছত তেওঁৰ এই গঢ়ে আৰু ভীষণ মূৰ্ত্তি ধৰিলে। গধুলি "হাৱা খাব"ৰ মনেৰে এদিন তেওঁ কলিকতাৰ গোলদীঘিৰ পাৰৰ

বেঞ্চ এখনত অকলে বহি আছে। এনেতে এজন আদহীয়া বঙালী ভদ্রলোক আহি তেওঁ বহি থকা বেঞ্চখনৰ এমূৰে বহিলহি। বাবুজনৰ গাত নয়নচুক কাপোৰৰ হাত-কটা ফতুৱা চোলা ; কঁকালত ক'লা পাৰি দিয়া মিহি চুৰিয়া ; বুকুৰ সৰু জেপ বা মোনাত সোণৰ ঘড়ী-চেইন ; আধা-পকা আধা-কেচা চুলিবে মূৰটো ভালকৈ সেঁওতা ফলা ; হাতত হাতীদাঁতৰ বেকোৰা মূৰেৰে মিহিকৈ পালিছ কৰা কাঠৰ লাখুটি এডাল। অলপৰ পিছতে তেওঁ মোৰ ফালে চাই আলাপ লগাই দিলে,—"তুমি কোন কলেজে পড় ?", "কোথায় থাক ?" "কত দিন বাড়ী যাওনি ?" মই অনিচ্ছাপূৰ্ব্বক এটা এটাকৈ উত্তৰ দি আছোঁ, আৰু তেওঁ প্ৰশ্নৰ বাতলুণ্ঠি এটা এটাকৈ মোৰ ফালে মাৰি আছে। আৰু দেখিলোঁ, তেওঁ প্ৰশ্নৰ লগে লগে অলপ অলপকৈ মোৰ ফালে আগ বাঢ়ি আহিব লাগিছে। মই বিৰক্ত হৈ "আৰ আপনাৰ প্ৰশ্নেৰ জবাব দিতে পাৰব না, মাফ কৰবেন মশায়" বুলি খপহ কৰে উঠি গোলদীঘিৰ বাগিচাৰ দুৱাৰৰ বাহিৰ পালোঁগৈ। তেওঁ "ৰাগ কৰলে কেন ? শুনে যাও, শুনে যাও।" বুলি মোক মতা মোৰ কাণত যিমান পৰিল, সিমান বেগেৰে মই ভোঁ-ভোঁ কৰে গুচি অহি আমাৰ "মেছ" পালোঁহি এই ঘটনাৰ পিছত এমাহমানলৈকে আৰু মই গোল-দীঘিৰ পাৰলৈ যোৱা নাছিলোঁ।

এবাৰ মই কলেজৰ বন্ধত ঘৰলৈ গৈছিলোঁ। বন্ধুবৰ শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীও মোৰ সহযাত্ৰী। মোৰ ছাহাবী মিজাজৰ অন্ত নাই। গোসাঁইক সাৱধান কৰি দিলোঁ, তেওঁ যেন ৰেলগাড়ীত কোনো বঙালীৰে সৈতে কথা নাপাতে। গোসাঁয়ে বন্ধুৰ বাক্য বৰ্ণে বৰ্ণে প্ৰতিপালন কৰিলে। দুয়ো শিয়ালদহ ষ্টেশ্যনত ৰেলগাড়ীত উঠিলোঁ। সেই কালত সাৰাঘাটত দুখন ৰেলগাড়ী প্লেটফৰ্ম্মৰ দুকাষে কলিকতাৰ ফালৰপৰা অহা যাত্ৰীলৈ বাট চাই থকা নিয়ম আছিল। এখন অসমলৈ আৰু আনখন দাৰ্জ্জিলিঙৰ ফাললৈ যায়। আমি ৰাতি ৮ কি ৯ মান বজাত সেইখিনি পাই কাকো একো নামাতি নুবুলি একালৰ এখন ট্ৰেইনৰ এখন গাড়ীত উঠি, দুয়ো দুখন বেঞ্চ অধিকাৰ কৰি দুইবো বিচনা মেলি লৈ দীঘল হৈ পৰিলোঁ। মোৰখন বিচনা ওপৰপৰা ওলমা "ৰাগ"ত। মোৰতো উৎকৃষ্ট চাহাবী মূৰ্ত্তি, আৰু মিজাজো তথৈবচ ; সেই দেখি মইতো গাড়ীৰ ভিতৰত থকা বঙালী সহযাত্ৰী দুজনেৰে সৈতে বাক্যলাপৰ আদান-প্ৰদান নকৰিলোঁৱেই ; গোসাঁইও প্ৰিয় বন্ধুৰ নেতৃত্বত নিমাত নিতব্ধ। ওবে ৰাতি ৰেলগাড়ী গৈ গৈ বৈ বৈ পুৱা এটা ষ্টেশ্যনত ৰলগৈ। চাহৰ ষ্টেভত চকু মেলি উঠিলোঁ। গোসাঁইক সুধিলোঁ, 'এইটো কি ষ্টেশ্যন ?" গোসাঁয়ে কি কলে বুজিব নোৱাৰিলোঁ। ৰাস্তৰপৰা নামি আহি বাহিৰলৈ মূৰ উলিয়াই চাওঁ—দেখোন কিবা অচিনাকি ষ্টেশ্যন এটা ; নামটো হলদিবাটা। গোসাঁইক সুধিলোঁ, এইটো ষ্টেশ্যন দেখোন আমি আগেয়ে অহা-যোৱা কৰোঁতে দেখা নাছিলোঁ। তেওঁ মিচিকিয়া হাঁহি মাৰি কলে "আমাৰ যি হব লগীয়া হল, আমি ভুলকৈ দাৰ্জ্জিলিঙৰ কাষ পালোঁহি।" মই শোৱাৰপৰা উঠাৰ আগতে তেওঁ মৎবিহিত নিয়ম ভঙ্গ কৰি সহযাত্ৰী বঙালী যাত্ৰী দুজনেৰে সৈতে কথা পাতি সেইটো জানিব পাৰিছিল। মোৰ ছাহাবী মুখ শুকাই একণমান হল। আমাৰ বিপদ বুজিব পাৰি, বঙালী ভদ্ৰলোক দুজনে কলে, "আপনাৰা এইখানেই নেমে যান, গাড়ী প্ৰায় দশ মিনিট দাঁড়াবে। অমুক সময় দাৰ্জ্জিলিং থেকে একখানা গাড়ী আসবে। সেই গাড়ীতে ফিৰে যাবেন। ষ্টেশন মাষ্টাৰকে আপনাদেৰ ভুলেৰ কথা বল্লেই ষ্টেশন মাষ্টাৰ certify কৰে দেবেন, আৰ ভাড়া লাগবে না।" এই বুলি তেওঁলোকৰ এজন আমাৰ লগতে গৈ ষ্টেশ্যন মাষ্টৰক সেই কথা কৈ আমাক বিনা-কেৰেয়াত সাৰাঘাটলৈকে উভতি যাবলৈ অনুৰোধ কৰিলে। আমি গাড়ীৰপৰা তাতে নামি কেবা ঘণ্টা বৈ থাকি সেইৰূপেই আমাৰ এই হাঁহি উঠা ওলোটা যাত্ৰা সমাপন কৰিলোঁ। জীৱনত মোৰ উগ্ৰ ছাহাবীয়ে এই প্ৰথম চকা খালে, মোৰ শিক্ষা হল নে নহল কব নোৱাৰোঁ, কিন্তু হোৱাটো হলে উচিত আছিল। গোসাঁয়ে পিছত অনেক লোকৰ আগত মোৰ এই কীৰ্ত্তিৰ কথা কৈ অনেক দিনলৈকে মোক জোকাই ৰং কৰিছিল।

আগতে উনুকিয়াই আহিছোঁ পিতৃদেৱতাই দুই পুতেক গোবিন্দ আৰু গোলাপক কলিকতাত পঢ়িবলৈ পঠিয়াইছিল। গোলাপ কাকইদেও ৰুগীয়া। কলিকতাত সততে তেওঁৰ গা বেয়া হৈ থকা দেখি তেওঁক কলিকতাত থাকি পঢ়াৰপৰা এৰুৱাই নি লাহে লাহে আসামতে কাম-কাজ এটাৰ দিহা কৰাটো ভাল হবনে নহয় দেউতাই বিবেচনা কৰি আছিল ; এনেতে এটা ডাঙৰ কাৰণ ওলাই দেউতাৰ দোদুল্য-মান মনক দৃঢ় কৰি দিলে। ঘুনুক-ঘানাককৈ বাতৰি ওলাল, যে দীননাথ বেজবৰুৱাৰ পুতেক গোলাপে মনে মনে কলিকতাৰ মেডিকেল কলেজত ভৰ্ত্তি হৈ ডাক্তৰী পঢ়িছে। পুতেকৰ এনে অভাৱনীয় ব্যৱহাৰত দেউতা স্তম্ভিত হ'ল। ডাক্তৰী পঢ়িলে মৰা শ কাটিব লাগিব। মৰা শ কটা-ছিঙা কৰিলে হিন্দুৰ, বিশেষকৈ বামুণৰ জাত যায়, এই মত আৰু বিশ্বাস আসামত দৃঢ়মূল। একালত বঙ্গদেশতো এনেকুৱাই আছিল। সেই দেখি প্ৰথমতে বিজন

বঙ্গালী হিন্দু ছাত্ৰবে সাহ কৰি কলিকতাৰ মেডিকেল কলেজত ভৰ্ত্তি হৈ সেই কাৰ্য্যত হস্তক্ষেপ কৰিছিল তেওঁৰ উৎসাহ আৰু সন্মানৰ অৰ্থে ফৰ্ট উইলিয়েম দুৰ্গৰপৰা ববতোপ এজাঁই মৰা হৈছিল। সেই ছাত্ৰজনৰ নাম মধুসূদন। সেউতাই পুতেকক ডাক্তৰী পঢ়িবলৈ অনুমতি নিদিয়াটো ধ্ৰুৱ নিশ্চয়; বৰং তেওঁৰ বিনা অনুমতিত পুতেকে তেনে কাৰ্য্য কৰিবলৈ গলে চূড়ান্ত অঘটন ঘটিব, এই কথা দুই পুতেক গোবিন্দ আৰু গোলাপে ভালকৈ জানিছিল; সেই দেখি এই কাৰ্য্য তেওঁলোকে অতি সংগোপনে কৰিবলৈ গৈছিল। কিন্তু এনে খবৰৰ মুখত সোপা দি ৰাখিবৰ সাধ্য কাৰ? সেউতাই তৎক্ষণাৎ গোলাপ ককাইদেওক ঘৰলৈ উভতি যাবলৈ আদেশ দি পঠিয়ালে। নিৰুপায় গোলাপ অচিৰতে শিৱসাগৰত ওলালগৈ। পিতৃদেৱতাই পুতেকক আৰু কলিকতালৈ নপঠিয়াবলৈ থিৰাং কৰি, পৰাচিত কৰাই শুদ্ধ কৰি লৈ শ্ৰীযুত গঙ্গাগোবিন্দ ফুকন ডাঙৰীয়াৰে সৈতে পৰামৰ্শ কৰি গোলাঘাটত এটা ইংৰাজী স্কুল পতাই তাৰ হেড্‌মাষ্টৰ পতাই দিয়ালে। ফুকন ডাঙৰীয়া তেতিয়া গোলাঘাটতে হাকিম হৈ আছিল। স্কুলৰ লাগ-বান্ধ নোহোৱা অৱস্থাৰ গতিকে গোলাপ ককাইদেওৰ স্কুল-মাষ্টৰীয়া জীৱনৰ অচিৰতে ওৰ পৰিল। শিৱসাগৰত পিতৃদেৱতাৰ সিংদৰাৰ আৰু ৰজাবাৰী নামেৰে দুখন চাহ বাগিচা আছিল। বাগিচা দুখনকে ভালকৈ চলাবলৈ গোলাপক শিৱসাগৰলৈ আনি সিংদৰাৰত ঠাই দিয়া হল। সিফালে কলিকতাত গোবিন্দ ককাইদেৱে ভায়েক গোলাপক কেনেকৈ বিলাতত ডাক্তৰী পঢ়ুৱাই ডাঙৰ ডাক্তৰ কৰি আনিব, তাৰ উপায় উদ্ভাৱন কৰিবলৈ ধৰিলে। তেওঁ ভাবিলে, তেওঁ স্বাধীন হৈ ধন ঘটিব পাৰিলে আৰু কালৈকো অপেক্ষা নাৰাখি তেওঁৰ সঙ্কল্প কাৰ্য্যত পৰিণত কৰিব পাৰিব; ইয়াকে ভাবি তেওঁ বি. এ. পৰীক্ষা দিবলৈ বাট নাচাই চতুৰ্থ বাৰ্ষিক শ্ৰেণীৰপৰা পঢ়া পৰিত্যাগ কৰি কলিকতাৰ হাই কোৰ্টত অসমীয়া-ট্ৰেন্সলেটৰ কামত সোমাল। কঁকালত এইদৰে বল বান্ধি লৈ তেওঁ ভায়েক গোলাপক আকৌ কলিকতালৈ আনিবলৈ তলে তলে চেষ্টা কৰিবলৈ ধৰিলে। গোলাপে চাহ বাগিচা দুখন ভালকৈ চলাবলৈ সৰহকৈ কুলী সংগ্ৰহ কৰি আনিব লাগে বুলি পিতৃদেৱতাক বুজাই তেওঁৰপৰা অনুমতি লৈ কছাৰী কুলি আনোগৈ বুলি গুৱাহাটী পালেহি। গুৱাহাটীতে তেওঁ দিনচেৰেক থাকি সুৰুক কৰে কলিকতা ওলালহি। গোবিন্দ ককাইদেওৰ ইচ্ছা পূৰ্ণ হল; তেওঁ ততালিকে গোলাপক আকৌ মেডিকেল কলেজত সুমাই দিলে।

ইয়াৰ পিছত গোবিন্দ ককাইদেৱে ভায়েকক বিলাতলৈ পঠিয়াই দিলে, আৰু নিৰুপায় পিতৃদেৱতা বিষাদত মগ্ন হল। ভায়েক গোলাপক ষোল অনা ডাক্তৰ কৰি অনাৰ আগতে দৈবদুৰ্বিপাকত গোবিন্দৰ চাকৰি গৈ অৱস্থাৰ পৰিবৰ্ত্তন হ'ল; ফলত বিলাতত খৰচৰ অভাৱত ভায়েক দুখত পৰিল। তেতিয়া পিতৃদেৱতা আৰু বৰ ককাইদেও গুৰুনাথে যথাসাধ্য ধনেৰে গোলাপক সহায় কৰিছিল যদিও, তথাপি যথোচিত খৰচৰ টকাৰ অভাৱত তেওঁৰ দুখ নহৈ নাথাকিছিল। যি হওক, দুখ-কষ্টত পৰিও গোলাপে গ্লাচগো আৰু এডিনবৰাৰ পৰা ডাক্তৰী পৰীক্ষাত উত্তীৰ্ণ হৈ এল্-আৰ-চি-পি, এল-এফ্-পি-চি উপাধি লভি, ভাৰতবৰ্ষলৈ উভতি নাহি, সোনেই দক্ষিণ-আমেৰিকাৰ ব্ৰিটিশ-গায়েনাৰ মাৰ্বা আৰু ডেমেৰেৰা নামৰ ঠাইত চিভিল্ চাৰ্জনৰ কাম লৈ গল। অনেক বছৰ তেওঁ ব্ৰিটিশ-গায়েনাত সুখ্যাতিৰে চাকৰি কৰি আছিল। এইডোখৰ কালত তেওঁ নাহে নাহে ঘৰলৈ চিঠিপত্ৰ দিবলৈ এৰি দি, শেহত একেবাৰেই অস্ফুট হল। অনেক বছৰ আমি তেওঁৰ খবৰ পোৱা নাছিলোঁ। মই এণ্ট্ৰেন্স পাছ কৰি কলিকতালৈ আহি অনেক চেষ্টা কৰি তেওঁৰ খবৰ উলিয়াই তেওঁলৈ চিঠি লেখি শেহত উত্তৰ পালোঁ। মোৰ মহা আনন্দ হল। পিতৃদেৱতাকে আদি কৰি সকলোৱে মোৰপৰা গোলাপৰ খবৰ শুনি পৰমানন্দিত হল।

গোলাপ ককাইদেৱে অকলযে মোলৈ চিঠিকে লিখিবলৈ ধৰিলে এনে নহয়, কলিকতাত মোৰ পঢ়া খৰচৰ অৰ্থে মাহে মাহে ২৫।৩০ টকাকৈ নিজ ইচ্ছাতে পঠিয়াবলৈ ধৰিলে। আমাৰ গবৰ্ণমেণ্টৰ পৰা মই কুৰি টকাকৈ স্কলাৰ্শ্বিপ পাইছিলোঁ; সেই দেখি এতিয়াৰপৰা মোৰ আয় মাহে ৪০।৫০ টকাকৈ হবলৈ ধৰিলে। তৃতীয় বাৰ্ষিক শ্ৰেণীৰ গুৰিৰেপৰা মেষ-ৰশীয়া মোৰ বৰ্ষফল—আয়, ব্যয়, স্থিতিৰ ঘৰ সুখকৰ আৰু সুবিধাপ্ৰদৰূপেই বিৰাজিত হল; এই ফলং-ফলে-ফলানি একেবাৰেই ৰাশি-চক্ৰৰ মেষৰ ঘৰত ডেৰবছৰ আছিল।

কলেজৰ তৃতীয়-বাৰ্ষিকীয়া জীৱনত মোৰ এনে জয়-জয়-ময়-ময় অৱস্থা। নীতিশাস্ত্ৰই বচন এফাঁকি মাতি থৈছে—

যৌবনং ধন-সম্পত্তিঃ প্ৰভুত্বমবিৱেকতা
একৈকমপ্যনৰ্থায় কিমু তত্ৰ চতুষ্টয়ম্।

যৌবনৰ কথা যদি সোধা, তেন্তে কওঁ যে সেই সময়ত সি দুই পাৰ বুৰাওঁ-বুৰাওঁ। ধন-সম্পত্তিৰ লেখতো পালায়েই-আলিবাটৰ কাষৰ গাঁতত থকা এটকা ৰূপৰ সত্ৰাধিকাৰ ডেও দিয়া ভেকুলীৰ দৰে। আৰু বাস্তৱিকপক্ষত পঢ়াশলীয়া ছাত্ৰৰ এটাৰ পক্ষে কমেই বা কি? প্ৰভুত্বটো কিহৰ বুলি প্ৰশ্ন কৰা

যদি কওঁ যে, লোকে মানক বা নামানক, নিজৰ মনতে নিজে মই-বৰচন্দ্ৰ। অবিবেকতা,—অৰ্থাৎ বিবেকতাৰ অভাৱত স্বভাৱ আঁকোৱালে নোপোৱাটো হোৱাৰ কথাতো ওপৰত কৈ আহিছোঁৱেই। সেই দেখি মই সোধোঁ, এই চাৰিটা অনৰ্থৰ ভিতৰত কোনটোৰ মই দুখীয়া, বাইজসকল, তোমালোকে কথাটো দ কৈ বিবেচনা কৰি চাই কোৱাঁহকচোন। মই কওঁ, একৈকৰ কথাকে নালাগে চতুষ্টয়ং একত্ৰং বৰ্ত্তমানং ইতি ভাবঃ। এনে মই কলিকতা হেন চহৰৰ জহন্নাম নামৰ খাৱৈত পৰিবলৈ বাট বিচাৰি ঘূৰ্ম্মুটিয়াই ফুৰিব লাগিবনে? কিন্তু সুখৰ বিষয়, ঈশ্বৰৰ অনুগ্ৰহত মই খাৱৈবোৰৰপৰা অনেক আঁতৰত আছিলোঁ। আচল কথা, গুৱিডোখৰত অটল চৰিত্ৰবান পিতৃদেৱতাৰ কট্‌কটীয়া নীতি আৰু ধৰ্ম-শিক্ষাৰ বান্ধোনে মোকো উলামুলা পছোৱা-কুৰুৱাই লবাব নোৱাৰা কৰি থৈছিল। সেই সময়ত মোৰ সহপাঠী আৰু সঙ্গনিবাসী ছাত্ৰৰ বন্ধুসকলেই এই কথাত মোৰ ফালে সাক্ষী দিব বুলি মোৰ বিশ্বাস। মুঠতে এইফেৰা কলেই হব যে, এই বাবে আমি থকা "মেছ" অৰ্থাৎ ছাত্ৰাবাসটোৱে কাৰো কাৰোৰপৰা "পিউৰিটানিক" এই nickname অৰ্থাৎ উপলুৱা নাম পোৱাটোও জানো।

দ্বিতীয় ভাগ

প্ৰথম আধ্যা

মোৰ জীৱন-সোঁৱৰণ দ্বাদশ বছৰৰ "বাঁহী"ৰ (১৮৪৪ শক) আহিন মাহৰ ষষ্ঠ সংখ্যাতে লেখিবলৈ আৰম্ভ কৰি, প্ৰায় মাহে মাহে লেখি, চতুৰ্দ্দশ বছৰৰ (১৮৪৬ শক) আহাৰ মাহৰ তৃতীয় সংখ্যাতে বন্ধ কৰিছিলোঁ। আৰু নেলেখোঁ বুলি ভাবি মই এৰি দিছিলোঁ। তাৰ কাৰণ কেইবাটাও আছিল, আৰু আজিওযে সেইকেইটা নাইকিয়া হৈছে, এনে নহয়। তথাপি অৱে এৰিলেও কৰ্পটিয়ে নেবাৰ দৰে হৈছে দেখি লেখিবলৈ বহিলোঁ। তেতিয়াৰেপৰা আজিলৈকে মোৰ শুভাকাঙ্খী বন্ধুসকলৰ ভিতৰৰ অনেকে মোক নেৰানেপেৰাকৈ ধৰি আছে, 'লেখিবই লাগিব, নেলেখিলে আমি নেৰোঁ।' মোৰ অতি মৰমৰ শ্ৰদ্ধাস্পদ বন্ধু এজনে অলপতে মোৰপৰা লেখিম এই প্ৰতিশ্ৰুতি লৈহে এৰিছে। অগত্যা লেখিবলৈ আকৌ আৰম্ভ কৰিলোঁ। অৰ্থাৎ কথাতে কোৱাৰ দৰে মই "পুনৰেৱ পাপী, পুনৰেৱ দবিত্ৰ" হৱলগীয়াত পৰিলোঁ যেতিয়া হোৱাই যাওক। মোৰ জীৱন-বৃত্তান্ত শুনি কাৰ কি উপকাৰ হয়, হৈ থাওক, মোৰ আপত্তি নাই। পাতনি-স্বৰূপে এইকেষাৰ কথাকে কৈ কাপ ধৰা গল।

কলেজত শেষছোৱা—১৮৯০ খ্ৰীষ্টাব্দত মই কলিকতাৰ এছেম্‌ব্লি কলেজৰপৰা বি. এ. পৰীক্ষা দি ঘৰমুৱা হৈ আমাৰ শিৱসাগৰৰ ঘৰলৈ উভতি গলোঁ। আন আন অসমীয়া ছাত্ৰৰ দৰে বছৰে বছৰে ঘৰলৈ যোৱাৰ অভ্যাস মোৰ নাছিল। একো একোটি পৰীক্ষাৰ পিছত অথাৎ দুবছৰে দুবছৰেহে মই ঘৰলৈ গৈছিলোঁ। ঘৰলৈ মোৰ মৰম কম আছিল বুলিযে তেনে কৰিছিলোঁ, সেইটো নহয়; মাথোন অনৰ্থক ধন খৰচ হোৱাৰ ভয়। আৰু এটি কাৰণ—পৰীক্ষা দি আহৰি হৈ লৈ কলিকতাত থাকি কলেজৰ চাৰি দুৱাৰৰ বাহিৰ ওলাই আন আন উপযোগী জ্ঞান আৰ্জ্জি লোৱাৰ লোভ। কলেজৰ চাৰি দুৱাৰৰ ভিতৰত কলেজৰ কিতাপ আৰু কিতাপৰ ব্যাখ্যা দিয়া জ্ঞানত পকিওযে মানুহ মানুহ-মুৱা হব নোৱাৰে, এই জ্ঞান সহজে মোৰ মনত উদয় হৈছিল।

শিৱসাগৰৰ ঘৰত মই এমাহামান থকাৰ পিছত এদিন হঠাৎ মোৰ নামে এখন টেলিগ্ৰাম অৰ্থাৎ বিজুলী ডাকৰ বাতৰি আহিল। মোৰ ককাইদেও এজনে বাটতে পিয়নৰ হাতৰপৰা টেলিগ্ৰামখন লৈ পঢ়ি, উধাতু খাই লৰি আহি কলে, "Lakshmi, you are graduated!" অৰ্থাৎ "লক্ষ্মী, তুমি গ্ৰেজুৱেট হলা, অৰ্থাৎ বি. এ. পৰীক্ষাত উঠিলা।" মই টেলিগ্ৰামখন হাতত লৈ পঢ়িলোঁ। তাত লেখা আছিল "Lakshminath and kailas are graduated." কৈলাসচন্দ্ৰ শৰ্ম্মা বৰুৱা নগাৱঁৰ। মোৰ মনত উলাহৰ কেনে ভাব হৈছিল, অনুমানসাপেক্ষ। পিতৃদেৱতা দুপৰীয়াৰ ভোজনৰ পিছত বৰঘৰৰ মুখৰ বাৰেণ্ডাত থকা পাটিত পৰি আছিল। খবৰটো তেওঁৰ কাণত পৰিলত, তেওঁ এক্কে চাবেই উঠি গোসাঁই-ঘৰত সোমালগৈ আৰু তাত থকা থাপনাৰ ফালে মুৰ থৈ সাষ্টাঙ্গে সেৱা কৰিলে। থাপনা মানে কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলী পুথি থৈ, তাৰ ওপৰত পাহে পাহে সোণ আৰু ৰূপৰ ফুল লগোৱা ৰঙা কাপোৰ এখন দি ঢাকি থোৱা বস্তু। এই থাপনাই আমাৰ গোসাঁই-ঘৰৰ ভিতৰত পূবফালে এমুৰত সোঁ-মাজতে শ্ৰেষ্ঠ সিংহাসন অধিকাৰ কৰি আছিল। থাপনাৰ সোঁফালে একে শাৰীতে সুকীয়াকৈ শালগ্ৰামসমূহ ৰখা হৈছিল; আৰু তাৰ পূজা পিতৃদেৱতাই নিতৌ নিজে কৰিছিল। থাপনাৰ বাওঁফালে একে শাৰীতে সুকীয়াকৈ ক'লা শিলৰ ডাঙৰ কৃষ্ণমূৰ্ত্তি এখন থোৱা হৈছিল; আৰু সেই মূৰ্ত্তিৰ পূজা আমাৰ ঘৰতে ব্ৰাহ্মণ এজনৰ দ্বাৰায়

দিনো নিয়মিতৰূপে কৰোৱা হৈছিল। মাহ-চাউল-কলৰ শৰাই সদায় থাপনাৰ সিংহাসনৰ আগত থোৱা হৈছিল। থাপনাৰ কালে মুখ কৰি নাম গোৱাসকলে দিনো তিনি প্ৰসঙ্গ কৰিছিল। দেউতাই পূজা কৰি থাকোঁতেই নাম-লগোৱাই থাপনাৰ আগত, কিছু দূৰত বহি, হাতত ভোৰ-তাল লৈ দৈনিক প্ৰসঙ্গ অৰ্থাৎ নাম গোৱা আৰম্ভ কৰিছিল; আৰু নামত যোগ দিয়া আন আন মানুহে দুফালে দুশাৰী হৈ সেই নাম গাইছিল। দেউতাই পূজা সাঙ্গ কৰি সোঁফালৰ নাম-গোৱাসকলৰ শাৰীতে এমূৰে বহি, আগতে ঠগিত থকা কীৰ্ত্তন-ঘোষা পুথি মেলি তাৰপৰা কীৰ্ত্তন-ঘোষা লগাই দিছিল। সেই ঘোষা নাম-লগোৱাৰ ভোৰ-তালেৰে সৈতে আৰু দুফালে দুশাৰী নাম-গোৱা ভকতৰ হাত-চাপৰিৰে সৈতে সমাপন হৈ প্ৰসঙ্গ কৰা হৈছিল; আমাৰ ঘৰত এইটো নিত্য-নৈমিত্তিক ব্যাপৰ আছিল, আৰু দিনো কম পক্ষে তিনিবাৰকৈ। এয়ে সংক্ষেপ বৰ্ণনা।

এতিয়া আগৰ কথালৈ যাওঁ। পিতৃদেৱতাই গোসাঁই-ঘৰত থাপনাৰ আগত সাষ্টাঙ্গে প্ৰণিপাত কৰাৰ পিছত, গোসাঁই-ঘৰৰ ভিতৰতে আঁৰি থোৱা বৰকাঁহ-খন, যাক নাম-প্ৰসঙ্গৰ অন্তত বজোৱা হয়—নিজেই বজাবলৈ ধৰিলে। তাৰ পিছত তেওঁ বাহিৰলৈ আহি, মোৰ মূৰত হাত দি মোক আশীৰ্ব্বাদ কৰিলে, আৰু আদৰ কৰি মূৰ শুঙিলে। দেখিলোঁ তেওঁৰ চকু সেমেকা। পিতৃদেৱতা গহীন-গম্ভীৰ প্ৰকৃতিৰ লোক আছিল। তেওঁ নিজৰ পুতেক এজনৰ মৃত্যু-শয্যাৰ কাষত বহি উচ্চৈঃস্বৰে ঈশ্বৰৰ নাম সোঁৱৰাওঁ-তেওঁ তেওঁৰ চকুত পানী এটোপাকে দেখাৰ কথা আমি কোনেও কব নোৱাৰোঁ। সেই দেখিয়েই সেই দিনৰ এই কথাই মোৰ মনত ইমানকৈ সাঁচ বহুৱালে।

সেই সময়ত অসমত বি. এ. 'পাছ্' কৰাটো অসাধাৰণ ব্যাপৰ আছিল। সুবিখ্যাত জগন্নাথ বৰুৱাই তেতিয়া অসমত বি. এ. জগন্নাথ। যদিও আনন্দৰাম বৰুৱা তেওঁৰ আগেয়েই বি. এ. হৈছিল, তথাপি আনন্দৰামে চিভিল চাৰ্ভিচ "পাছ" কৰি "চিভিলিয়ান" হৈছিল দেখি সেই সৰু খ্যাতি তল পৰি, তেওঁৰ চিভিলিয়ান বৰ খ্যাতি ওপৰ উঠিছিল আৰু সেই দেখিয়েই অসমত প্ৰথম বি. এ. "পাছ্" বুলি জগন্নাথ বৰুৱা "বি. এ. জগন্নাথ" নামেৰে বিখ্যাত হৈছিল। মোৰ আগেয়ে অৱশ্যে অনেকে বি. এ. "পাছ্" কৰিছিল; আৰু তেওঁলোক লেখত যদিও পৰি মৰা বিধৰ নাছিল, তথাপি সেই সময়লৈকে "বি. এ. পাছ্" নামৰ পদাৰ্থটো অপদাৰ্থত পৰা নাছিল। আজি-কালি,—দুখৰ কথা আৰু কি কম, কোনে শুনিব? সকলোৱে চকুৰ আগতে দেখিছে যে একোজন ডেকাই প্ৰাণ পাত কৰি বি. এ. মহলাত উঠি ত্ৰিছ্-টকীয়া চাকৰি এটা পাবলৈকো হাবাথুৰি খাই ফুৰি অকৃতকাৰ্য্য হয়। তেতিয়া আসাম গৰ্বৰ্ণমেণ্টে বি. এ. পাছ্‌ক চৰ্কাৰী চাকৰি স্ব-ইচ্ছাতে যাচিছিল। আৰু যেই সেই চাকৰী নহয়,—একষ্ট্ৰা এচিষ্টেণ্টৰ পদ,—অৱশ্যে "প্ৰবেশ্যনেৰি"। মোকো এবাৰ নহয়, দুবাৰ সেই পদ যাচিছিল। কিন্তু মই নললোঁ। অৱশ্যে নলৈ ভালকে কৰিলোঁ নে "আহাম্মকী"কে কৰিলোঁ আজি মই নকওঁ। লোকে মোৰ স্বভাৱৰ বিষয়ে কি বিশ্লেষণ কৰি থৈছে, মই ক'ব নোৱাৰোঁ; কিন্তু মই নিজে যিটো কৰি থৈছোঁ, সেইটো শুধেই হওক বা অশুধেই হওক, মই কওঁ; যথা—মই গোঁজোৱা স্বভাৱৰ মনুষ্য। স্বাধীনতা-হীনতাতকৈ মোৰ মৃত্যু শ্ৰেষ্ঠতৰ বুলি মই সদায় ভাবি আহিছোঁ। মোৰ তেতিয়া অন্তৰৰ গুহ্যাতিগুহ্য প্ৰদেশৰপৰা এই ভাব আৰু সঙ্কল্প ওলাইছিল যে মই স্বাধীনভাৱে পৰিশ্ৰম কৰি এমুঠি ভাত খাম, পৰৰ গোলামী কৰি নহয়। তেনেহলেই মই তৰি যাম। স্বাধীন ব্যৱসায় বা চেষ্টাত মই যদি বৰ ডাঙৰ হব পাৰো ভালেই, নহলে নাই; তথাপি পেটে-ভাতে খাই থাকি তেনে জীৱন যাপন কৰাটোৱেই মোৰ উচচ আকাংক্ষা আছিল; আৰু আজিও আছে। সেই দেখি মই আসাম গৰ্বৰ্ণমেণ্টৰ যচা চাকৰী নললোঁ।

বি. এল. পৰীক্ষা পাছ্ কৰাৰ পিছতে কলিকতাৰ হাই কোৰ্টত উকীল হব পৰাৰ নিমিত্তে মই ৰিপন কলেজৰ ল ক্লাছত নাম লগালোঁ; আৰু লগতে প্ৰেছিডেঞ্চি কলেজত এম. এ. পৰীক্ষাৰ নিমিত্তে পঢ়িবলৈ ধৰিলোঁ। অৰ্থাৎ একে দলিতে পাৰোঁ যদি দুটা চৰাই মাৰোঁ।—এই ফন্দি। ওপৰৰ কথাৰ কোবত, কবলৈ পাহৰিছোঁ, যে আসাম গৰৰ্ণমেণ্টে যচা চাকৰী মই নোলোৱা বাবে, মোৰ পিতৃদেৱতা আৰু খাইকৈ বৰ ককাইদেও গোবিন্দ বেজবৰুৱা মোৰ ওপৰত যথেষ্ট বিৰক্ত হৈছিল। কিন্তু গোঁজো-ৰাতো গোঁজোৰাই; সি শুনে কাৰ কথা? যাওক।

হাই কোৰ্টত টুইডেল্ নামেৰে এজন এংলো-ইণ্ডিয়ান উকীল আছিল। যোগাৰ-যন্ত্ৰ কৰি মই তেওঁৰ "আৰ্টিকোল ক্লাৰ্ক" হলোঁ যাতে বি. এল. পৰীক্ষাত উঠি হাইকোৰ্টৰ এড্‌ভোকেট হোৱাত পলম নঘটে। মোৰ দিন আনন্দেৰে যাবলৈ ধৰিলে। টুইডেল বুঢ়া মানুহ। বুঢ়াই মোক মৰম কৰি আইনৰ কাম-কাজ শিকাবলৈ ধৰিলে। কিন্তু দুখৰ কথা কি কম। মই ছমাহমান তেওঁৰ তলত কাম শিকাৰ পিছতে বুঢ়া মৰি থাকিল। তাৰ পিছত, হাই কোৰ্টৰ নামজলা উকীল দিগম্বৰ চাটুৰ্জ্জীৰ ওচৰ চাপি, তেওঁৰ আৰ্টিকোল ক্লাৰ্ক হলোঁ। তেওঁৰ ঘৰ কলিকতাৰ ভবানীপুৰত আছিল। মোৰ কপালৰ কথা

আৰু কি কম ? মোৰ কপালেই নিশ্চয় বেয়া; আৰু দিগম্বৰ বাবুৰ কপালখন নিশ্চয় ভাল ; তেওঁ তাৰ কিছুদিনৰ পাছতে হাই কোৰ্টৰ জজৰ চকীত উঠিল। মোৰ মনত বিৰকতি লাগিল। বোলে, "আইৰ ঘৰলৈ যাম, দুই হাতে খাম ; বিধতাই বোলে মই তোৰ পিছে পিছে যাম।" এই কথা তেতিয়া মোৰ মনত পৰিল। তথাপি শৰ্মা "নছাৰণ্তি নহটন্তি।" ইফালে বি. এল. পৰীক্ষালৈ ৰীতিমতে পঢ়ি আছিলোঁ।

তেতিয়া মই দিনৌ হাই কোৰ্টলৈ গৈছিলোঁ। হাই কোৰ্টৰ জজৰ আদালতত মোকৰ্দমাৰ বিচাৰ, উকীল আৰু বেৰিষ্টাৰৰ বক্তৃতা আৰু "চৱাল জবাব" অতি মনোযোগেৰে মই শুনিছিলোঁ ; কাৰণ মোৰ হেপাহ হৈছিল, হওঁতে মমো যেন এদিন, সেই কালত প্ৰসিদ্ধ ডব্লিউ. চি. বোনাৰ্জ্জী, মনোমোহন ঘোষ, স্যাৰ গ্ৰিফিথ্ ইভান্স, এল্. পিউ. আনন্দমোহন বোস আৰু কোনোবা কাচিৎ হাই কোৰ্টলৈ অহা লালমোহন ঘোষ আৰু উকীলৰ ভিতৰত স্যাৰ ৰাসবিহাৰী ঘোষ, ডাক্তৰ গুৰুদাস বানুৰ্জ্জী প্ৰভৃতি বিখ্যাত আইনজ্ঞ-সকলৰ নিচিনা হব পাৰোঁ। এড্ভোকেট-জেনেৰেল স্যাৰ চাৰ্লচ পল, ষ্টেণ্ডিং কাউন্সিল ফিলিপ্স, বেৰিষ্টৰবোৰৰ ভিতৰত "বাঘ" (tiger) নামত খ্যাত জেক্সন, বেৰিষ্টৰ ইভান্সৰ ভায়েক বেৰিষ্টৰ পিউ, ইত্যাদিৰ মোকৰ্দ্দমা পৰিচালনাৰ আৰু তৰ্কা-তৰ্কি মই নথৈ উপভোগ কৰি শিকিবলৈ চেষ্টা কৰিছিলোঁ। তেতিয়া উঠি অহা বেৰিষ্টৰ মিষ্টৰ এছ্. পি. সিংহ (পিছত লৰ্ড সিংহ), মিষ্টৰ এ. চৌধুৰী (পিছত স্যাৰ আশুতোষ চৌধুৰী জজ), ব্যোমকেশ চক্ৰবৰ্ত্তী, এইসকলেও মোৰ মনোযোগ ৰবকৈ আকৰ্ষণ কৰিছিল। পিছৰ কালত হাই কোৰ্টত নাম-জলা বেৰিষ্টাৰ বি. চি. মিত্ৰ (পিছত স্যাৰ বিনোদচন্দ্ৰ মিত্ৰ) আৰু তেওঁৰ ভায়েক প্ৰভাস চন্দ্ৰ মিত্ৰ (স্যাৰ প্ৰভাস মিত্ৰ) মোৰ লগৰীয়া আৰু সমনীয়া আছিল। তেবেঁ মোৰ মনোযোগ সিমানকৈ আকৰ্ষণ কৰা নাছিল। সেই কালত হাই কোৰ্টৰ "বাৰ" উজ্জ্বল নক্ষত্ৰসকলৰ থুপি আছিল আৰু তুলনাত "বেঞ্চ" হীন পোহৰৰ আছিল। মোৰ সেইডোখৰ হাইকোৰ্টীয়া জীৱনত ঘটা অনেক ঘটনাৰ ভিতৰত হাঁহি উঠা সৰু ঘটনা এটা আজিলৈকে ভালকৈ মোৰ মনত আছে। হৰি চাটুৰ্জ্জী নামেৰে হাই কোৰ্টৰ উকীল এজনেৰে সৈতে মোৰ মধ্যম ৰকমৰ চিনা পৰিচয় হৈছিল। এদিন হাইকোৰ্টৰ দুমহলাৰ বাৰাণ্ডাত টহলি ফুৰিছোঁ, এনেতে তেওঁক দেখা পালোঁ। মই আগ বাঢ়ি গৈ তেওঁক মোৰ নমস্কাৰ জনাই, কথা কবলৈ ধৰিলোঁ। তেওঁ মোৰ মুখৰ ফালে ৰ লাগি এনেকৈ চাই ৰ'ল যে তেওঁ যেন মোক কেতিয়াও দেখা নাছিল। তেওঁৰ তেনে ভাবলৈ মন নিদি, মই হাঁহি হাঁহি অনৰ্গল কথা কৈয়ে গৈছোঁ। শেহত তেওঁ মোক কলে, "মশায় মাফ কৰবেন, আমিতো আপনাকে চিনি না আপনি হয়তো আমাকে আমাৰ ভাই মনে কৰছেন। আমাৰ ভায়েৰ নাম হৰি ; আমাৰ নাম হৰ।" এই বুলি তেওঁ মোক তাতে এৰি গুচি গল। মই লাজতে তলমূৰ কৰিলোঁ ; আৰু তেওঁৰ ওচৰত ক্ষমা মাগিবলৈকো সময় নাপালোঁ। পিছত শুনিবলৈ পালোঁ যে হৰি আৰু হৰ চাটুৰ্জ্জী দুয়ো যঁচাকেৰে যঁজা ; আৰু দুয়ো হাইকোৰ্টৰ উকীল। তেনে ভুল মোৰ পূৰ্ব্ববৰ্ত্তী পূৰ্ব্বপুৰুষ অনেকে হেনো কৰিছিল। ৰহস্যটোৰ সম্ভেদ পাই মোৰ ক্ষুণ্ন মনে ঠন ধৰিলে। ভাবিলোঁ, হৰি-হৰৰ লীলাৰ কথা এনেকুৱাই হয়।

এই কথা লেখি যাওঁতেই আৰু এনেকুৱা ঘটনাৰে কথা এটা মনত পৰিছে; তাকো এই-খিনিতে কৈ থওঁ। সেই কালত মোৰ থিয়েটাৰ চোৱা বায়ুও চুৰ্চুৰীয়া বিধৰ নাছিল। কেতিয়াবা কেতিয়াবা সেই চুৰ্চুৰীয়া বায়ুৱেই বাঢ়ি গৈ, আমাৰ পূৰ্ব্ববঙ্গ-দেশীয় লোকসকলেৰে সৈতে মোক সমানে উৰাই নিয়াত ক্ৰটী নকৰিছিল। আজিকালিৰ কথা মই কব নোৱাৰোঁ ; কিন্তু তেতিয়া দেখিছিলোঁ, পূৰ্ব্ব-বঙ্গীয়সকলৰ অনেকে কলিকতাত থিয়েটাৰ চাবলৈ বুলি আহি দিনৰ দুই তিনি বজাত শিয়ালদহ ৰেলৰ ষ্টেশ্যনত নামি, ভেৰোণীয়া গাড়ীত উঠি পোন পটিয়েদি গৈ কলিকতাৰ উত্তৰ অঞ্চলত থকা "ষ্টাৰ", "বেঙ্গল" আৰু "নেশ্যনেল" নামৰ থিয়েটৰত নামি, টিকট কিনি, তাৰ দিনৰ চাৰি বজাৰপৰা (যাইকৈ শনিবৰীয়া দিনত) আৰম্ভ হোৱা থিয়েটৰত বহি, এটাৰ পাছত এটাকৈ নাটৰ ভাওনা হেপাহ পলুৱাই চাই, পিছ দিনাৰ পুৱাৰ ফুকুৱা ডাকৰ সময়ত থিয়েটাৰৰ ভাওনাৰ ওৰ পৰিলে তাৰপৰা ওলাই আহি, "থাৰ্ড-ক্লাছ" ভেৰোণীয়া গাড়ী এখনত উঠি গঙ্গাস্নান কৰি, আকৌ শিয়াল-দহলৈ গৈ, তেওঁলোকৰ "নিজ জন্মভূমি"ৰ ফালে গতি কৰা ৰেলত উঠিছিল। মমো কেতিয়াবা-কাচিৎ সেই "ওৰ আহি" আগত লৈ ওবে ৰাতিটো থিয়েটৰ চাই, পিচদিনা পুৱা, আবি থকা মেছ বা হোষ্টেলত ওলাইছিলোঁহি। তেনে "দুষ্কৰ্ম্মৰ অনুতাপত দগ্ধ হৈ", গোটেই দিন মান থাকি, আকৌবে তেনে কৰ্ম্ম মই নকৰিছিলোঁ, এনে নহয়। মোৰ যুৱক-নিৰ্গত মনৰ স্বভাৱ আছিল অনুতাপত পোৰা, আৰু কিছু কালৰ পিছত সময়ৰ জীপ পাই আকৌ ঠন ধৰি উঠা। তেতিয়া ভাবিছিলোঁ, এওঁলোক পূৰ্ব্ববঙ্গীয় low-lander (লো-লেণ্ডাৰ) ; মই তাতো ওপৰৰ highlander (হাই-লেণ্ডাৰ) ; মই হুঁহকিব কিয় ? পদ্মাফালে পাটকাই ওখ।

ষ্টাৰ থিয়েটাৰত এজন ভাল "এক্টৰ" অৰ্থাৎ ভাৱৰীয়া আছিল ; তেওঁৰ নামটো মই পাহৰিলোঁ ; কিন্তু উপাধিটো হলে মনত আছে। তেওঁৰো উপাধিটো চাটুৰ্জ্জী। মুঠতে মোক চাবিওফালে চাটুৰ্জ্জীয়েই পাইছিল বুলিব লাগে। তাৰ কাৰণ, তেতিয়া মোৰ সাক্ষা মনত ওলাইছিল এই যে চাটুৰ্জ্জীবোৰ কাশ্যপ গোত্ৰৰ মানুহ ; আৰু মোৰো গোত্ৰটো কাশ্যপ। ইংৰাজীত কৰৰ নিচিনা—"Like attracts like" আৰু অসমীয়াত কৰৰ নিচিনা "চোৰেহে চোৰৰ ঠেং দেখে।" এতেকে সগোত্ৰ জ্ঞাতি-ভায়ে মোৰ মন নাটানিব কিয় ? ঈশ্বৰৰ ৰাজ্যত কোনো প্ৰাণী ডাঙৰ-সৰু নহয় ; সকলো এক্ হিচাপে সমান। সকলোৰে হৃদয়ত একেজন পৰমাত্মা নানাৰূপে আছে। সেইদেখি আমাৰ কীৰ্ত্তন-ঘোষাত কৈছে—

কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানি জানি সবাহাঙ্ক কৰিবা প্ৰণাম ॥

কুকুৰৰ গোত্ৰ কি ? আনে নাজানিলেও মই জানো। কুকুৰৰ গোত্ৰ কাশ্যপ। কশ্যপৰ পত্নীসকলৰ নাম,— অদিতি, দিতি, দনু, কাষ্ঠা, অৰিষ্ঠা, সুৰসা, ইলা, মুনি ক্ৰধৱশা, তাম্ৰা, সুৰভি, সৰমা আৰু তিমি। সৰমাৰপৰা সাৰমেয়। অৰ্থাৎ শ্বাপদবোৰ সৰমাৰ পুত্ৰ। কুকুৰো সাৰমেয়। বিমান দূৰতে থাকক কুকুৰে একেদিনাই গঙ্গাস্নান কৰি আহিব পাৰিলে-হঁতেন, যদি তাৰ সগোত্ৰ জ্ঞাতি-ভাইবোৰে বাটতে তাক লগ পাই আমনি নকৰিলেহেঁতেন। এইটো মই মনে পাতি কোৱা কথা নহয়, আমাৰ আসামত পুৰণি কালৰেপৰা চলি অহা প্ৰবাদ। সেই দেখিহে মোৰ স্বগোত্ৰ কাশ্যপ-গোত্ৰীয় চাটুৰ্জ্জী জ্ঞাতিবৰে সৈতে মাজে মাজে মোৰ বাটকেৰা লাগিছিল। ষ্টাৰ থিয়েটাৰৰ ভাৱৰীয়া চাটুৰ্জ্জীজন "কমিক্ এক্টৰ" অৰ্থাৎ ধেমেলিয়া ভাও দিয়াত বৰ পটু আছিল। ধেমেলিয়া ভাওৰ ফালে সদায় মোৰ পক্ষপাত থকা কথাটো আনে নাজানিলেও মই জানো। সেই দেখি মই চাটুৰ্জ্জীৰে সৈতে মাজে-সময়ে কথা-বাৰ্ত্তা পাতি চিনাকি হৈছিলোঁ। এদিন কলিকতাৰ শ্যামবজাৰ ষ্টীটত থকা, মোৰ বঙালী বন্ধু এজনৰ ঘৰত মই বহি কথা-বাৰ্ত্তা পাতি থাকোঁতেই ষ্টাৰ থিয়েটাৰৰ চাটুৰ্জ্জী ভাৱৰীয়াক তাতে ওলোৱাগৈ দেখিছিলোঁ। তেওঁ আগেয়ে মোৰ চিনাকি ভাবি, মই-তেওঁৰ সৈতে কথা কবলৈ ধৰিলোঁ, আৰু সেই কথাৰ মাজত ষ্টাৰত তেওঁ বিতোপন ভাও দিয়াৰ কথা উলিয়ালোঁ। তেওঁ অবাক হৈ মোৰ মুখৰ ফালে চাই আছিল। মোৰ কথাৰ সোঁত বন্ধ হলত, তেওঁ লাহেকৈ উঠি গুচি গ'ল। যাবৰ সময়ত কৈ গল, "মশায়, আপনি ভুল কৰেছেন, আমি ষ্টাৰে এক্টিং কৰি না।" মই কাঁহ পৰি জীণ গ'লো। পিছত মোৰ বন্ধুজনে কলে যে "থিয়েটাৰত একটিং কৰাজন এওঁ নহয় ; এওঁ তেওঁৰ ভায়েক, আৰু দুয়ো যঁজা। আপুনি কৰাৰ নিচিনা ভুল অনেকে কৰে।" মই উশাহ পাই মোৰ বন্ধুক প্ৰশ্ন কৰিলোঁ, "এওঁলোক দুইজনৰ ঘৈণীয়েক দুজনীয়ে এনে আহুকাল চম্ভালে কেনেকৈ ?" বন্ধুৱে হাঁহি উত্তৰ দিলে,—"প্ৰথমেই সেই বিষয়ে অনেক কমেডি অৱ এৰ্ৰ্চ হৈছিল ; তাৰ পিছত দুইজনৰ গাত বেলেগ বেলেগ চিন-চাবৰ দিহা কৰি সেই ভ্ৰম-ৰঙ্গৰ সমাধান কৰা হ'ল।" আমাৰ "ভ্ৰম-ৰঙ্গ" নাটৰ কামৰূপীয়া নিৰঞ্জন আৰু মায়াপুৰীয়া নিৰঞ্জনৰ কথা মোৰ মনত পৰিল।

প্ৰেচিডেন্সি কলেজত আমাক ইংৰাজী সাহিত্য পঢ়ৱাইছিল সুবিখ্যাত প্ৰফেছৰ চাৰ্লচ্ টনিয়ে (Tawney)। তেওঁ কেনে বিদ্বান আৰু নামজলা প্ৰফেচৰ আছিল, সেই কালত কলিকতা ইউনিভাৰছিটিৰে সৈতে সম্বন্ধ থকা সকলো মানুহে জানিছিল। আজিও টনি চাহাবৰ নাম কলিকতাত অনেকে পাহৰা নাই। শেক্সপীয়েৰ পাঠ্যওঁতা অধ্যাপক তেতিয়া তেওঁৰ সমনীয়া কোনো নাছিল। তেওঁ ক্লাছলৈ আহি, চকীখনত বহি কাৰোফালে কেৰাহিকৈ নাচাই অনৰ্গল পঢ়াই গৈছিল। ভাল ছাত্ৰে তেওঁ দিয়া "নোট" লেখি গৈছিল ; ফাঁকিদাৰবোৰে সেই "নোট" পিছত হস্তগত কৰিবলৈ মনতে পাঙি থৈ কোনোৱে টোপনিয়াই, কোনোৱে আনৰ ফালে চাই ফিচিঙা-ফিচিং কৰি, কোনোৱে অকাশ-পাতাল ভাবি সেই ঘণ্টাটো কটাই দিছিল। মই অৱশ্যে এই পিছৰ দলৰ ভিতৰত নাছিলোঁ ; কাৰণ মই আচহুৱা আৰু মোক স্বাভাৱো তেনে নাছিল। ক্লাচত মোৰ সতপাঠীসকলৰ ভিতৰত জোড়াসাঁকোৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ দুজন ডেকা আছিল। এজনৰ নাম ক্ষিতীন্দ্ৰনাথ ঠাকুৰ আনজনৰ নাম সুধীন্দ্ৰনাথ ঠাকুৰ। তেতিয়া তেওঁলোকেৰে সৈতে মুখ-দেখা-দেখি চিনাকিৰ বাহিৰে মোৰ বিশেষ ঘনিষ্ঠতা নাছিল। বিধিৰ বিধানত কিছুদিনৰ পাছত তেওঁলোক দুয়ো মোৰ brother-in-law অৰ্থাৎ জেঠেৰিৰ ঠাই অধিকাৰ কৰিলে আৰু মই তেওঁলোকৰ পৰিবাৰ--ভুক্ত হলোঁ।

মই আইন পঢ়িছিলোঁ ৰিপন কলেজত। আমাৰ এজন অধ্যাপক আছিল বিখ্যাত বিদ্বান পণ্ডিত কৃষ্ণকমল ভট্টাচাৰ্য্য। তেওঁৰ স্বাস্থ্য ভাল নাছিল। তেওঁৰ টপা মূৰটো ব'দৰ দৌৰাত্মাৰপৰা সৰুৱাবৰ নিমিত্তে তেওঁ কেনেকৈ ব্যগ্ৰ হৈ ক্লাছৰ খোটালিৰ ভিতৰলৈকে ছাতিটো মেলি মূৰৰ ওপৰত ধৰি সোমাইছিল, সেইটো মোৰ আজিলৈকে মনত আছে। "হিন্দু স্কুল"ত অভিজ্ঞ গোপালচন্দ্ৰ সৰকাৰ শাস্ত্ৰীয়ে আৰু গুৰুদাস বানুৰ্জ্জীয়ে (পিচত জষ্টিচ ছ্যাৰ গুৰুদাস বন্দ্যোপাধ্যায়) আমাক মাজে মাজে পঢ়ুৱাইছিল।

দ্বিতীয় অধ্যায়

মই বি. এ. পৰীক্ষাত উঠাৰ পিছৰপৰা এটা মধুৰ নে কটুৰ, বিপদেই নে সম্পদেই, ভালকৈ কব নোৱাৰোঁ, "এৰেবিয়ান-নাইট্চ্"-অত লেখা বাগদাদৰ সাউদ চিন্দবাদ চেইলৰৰ কান্ধত উঠা মানুহটোৰ দৰে, মোৰ কান্ধত উঠিল, তাক একোপধ্যেই দলিয়াই পেলাব নোৱাৰা হলোঁ। সেই বস্তুটোৰ নাম বিয়া। কাব্য আৰু উপন্যাসে মৌখিক দান-পত্ৰত বিয়াৰ যৌতুক-স্বৰূপে দিব খোজা বস্তুবোৰে অৱশ্যে তেতিয়া মোৰ মন ৰঙা কৰি যে নথৈছিল এনে নহয়; তথাপি যাক বিয়াৰ বায়ু বোলে, সেই বায়ুৱে মোৰ মূৰত দীঘলীয়াকৈ ঠাই লৈ মোক বায়ুৱা কৰিছিল বুলি মই কব নোৱাৰোঁ। বিপদ বুজি সেই অলিয়া-বলিয়া দক্ষিণ বতাহৰ প্ৰৱেশদ্বাৰ যথাসাধ্য মই বন্ধ কৰি থবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু থলে কি হব? লোকে ঠেলি হেঁচুকি দুৱাৰখন যিমান পাৰে মেলি দি মোক কিছু পৰিমাণে বায়ুৱা কৰিবলৈ ক্ৰটি নকৰিছিল। মই সঙ্কল্প কৰিছিলোঁ যে পঢ়া-শুনা শেষ কৰি, যেতিয়া মই আৰ্জ্জি খাব পৰা হম আৰু মোৰ সহ-ধৰ্ম্মিণীকো খুৱাই-বুৱাই সুখত ৰাখিব পৰা হম, তেতিয়াহে মই বিয়াৰ ভাবনা ভাবিম। কিন্তু পঞ্চক্ৰত ভগবানো ভূত হয় বুলি বঙলাত কোৱা কথা এষাৰ আছে। মোকো তেনে চক্ৰত পেলাই ভূত-যোনিত স্থান দিবলৈ সকলো লাগি গল। দেখিলোঁ, আকাশে-পাতালে মোৰ বিয়াৰ কথা। কলিকতাৰপৰা ঘৰলৈ উভতি গলোঁ; তাতো মোৰ বিয়াৰ কথা। সম্বন্ধীয়া স্ত্ৰী-মহামণ্ডলীত মোৰ বিয়াৰ আন্দোলন। বেজাবৰ কথা এইটোৱেই যে মই দেখিলোঁ মোৰ মাতৃদেৱীয়ে সেই মহামণ্ডলৰ সভানেত্ৰীৰ বাব লৈছিল। পোন-পটীয়ে তেওঁলোকে দুৰ্গ ভেদ কৰিব নোৱাৰি, কুট-নীতি অৱলম্বন কৰিবলৈ ধৰিলে। বিয়াৰ দুৰ্গ ভেদত স্ত্ৰী-জাতি, ঠিক যেন জাপানী সেনাপতি জেনেৰেল নোগি। যি হওঁক, মই মুখৰ মহলা মাৰি মহামণ্ডলৰ সভ্যাসকলক কিছু দূৰ বিমুখ কৰি সাৰি কলিকতালৈ গুচি আহিলোঁ। কিন্তু ভূতে মোৰ পিছ নেৰিলে। দেখিলোঁ কলিকতাতো মোৰ পিছত সেই ভূত আন-ফালে-মই যে সেইদৰে সকলোৰে স্পৃহণীয়, বৰণীয় আৰু গ্ৰহণীয় হৈ পৰিছোঁ, সেই ভাবেও মোৰ মনত গৰ্ব্বৰ পৰ্ব্বত তুলি দিলে, আৰু তাৰপৰা সন্তোষৰ শীতল নিজৰা বৰলৈ ধৰিলে। অৱস্থা কাহিল হৈ উঠিল; তথাপিও মই মনত বল বান্ধি বিয়াৰ বিৰুদ্ধে দুহতীয়া খাপৰ হাতত ললোঁ। যেয়ে মোৰ বিয়াৰ প্ৰস্তাৱ কৰে বা সঙ্কেত দিয়ে, তাকে একেষাৰেৰে কৈ দিওঁ—"নকৰাওঁ।" মই সেইদৰে কবলৈ শিকি থৈছিলোঁ আমাৰ "মনপুৰ কাই"ৰপৰা। মোৰ জীৱন-গৌৰৱণ পঢ়োতাসকলে সুধিব পাৰে এই "মনপুৰ কাই" আকৌ কোন? এই কাই এই আখ্যানৰ ভিতৰত ক'ৰপৰা সোমালহি?" উত্তৰটো সেই দেখি আগতে দি থওঁ। আমাৰ শিৱসাগৰৰ ঘৰত অনেক কালৰপৰা পুৰণি লগুৱা এটা আছিল, তাৰ নাম মনপুৰ। তাৰ ঘৰ যোৰহাটৰ কাষৰ চাওখাত মৌজাত। সৰুৰেপৰা সি আমাৰ ঘৰতে থাকি লগুৱা কাম কৰি আদহীয়া হৈছিল; তথাপি দৈব-দুৰ্ব্বিপাকত তাৰ বিয়া হোৱা নাছিল। সি বয়সত মোতকৈ চাৰিগুণমান ডাঙৰ আছিল দেখি মই তাক "মনপুৰ কাই" অৰ্থাৎ ককাই বুলিছিলোঁ আৰু মোৰ সমনীয়া অৰপৰ লৰায়ো সেইদৰে তাক মাতিছিল। শেহত সি তাৰ কপালৰ ওপৰত ইমান disgusted অৰ্থাৎ বিৰক্ত হৈ উঠিছিল যে আমি তাক কেতিয়াবা বিয়াৰ কথা কলে, সি একেআষাৰেই খাতাংকৈ উত্তৰ দিছিল "আমাক ছোৱালী নেলা" "নেলা"টো 'নেলাগে'ৰ সংক্ষিপ্ত সংস্কৰণ। উপমাটো যদিও মোৰ গাত সমূলি নাখাটে, তথাপি তাৰ মুখৰ কথাষাৰ শিকি থৈছিলোঁ।

গুৱাহাটীৰ ৰাধাচৰণ বৰুৱাৰ ভায়েক উমাচৰণ বৰুৱা তেতিয়া কিছু দিন কলিকতাবাসী হৈ আছিল। ৰাধা-চৰণ বৰুৱাই অসম এৰি কিছু কাল গুপ্তভাৱে থাকি আৰ্. চি. বেঞ্জামিন নাম লৈ দিল্লী প্ৰভৃতি ঠাইত ব্যৱসায়-বাণিজ্য কৰি আছিল। অনেক কালৰ পিছত তেওঁ দেখা দিছিল, আৰু ভায়েক উমাচৰণ বৰুৱাক তেওঁ ব্যৱসায়ৰ সম্পৰ্কত আনি কলিকতাত থৈছিল। উমাচৰণ বৰুৱা বৰ সাদৰী মানুহ আছিল আৰু তেওঁ মোক বৰ ভাল পাইছিল। কলিকতাৰ ডাঙৰ ডাঙৰ বঙালী মানুহেৰে সৈতে তেওঁৰ জনা-শুনা আছিল। মুখুৰ্জ্জী উপাধিধাৰী ডাঙৰ মানুহ এজনেৰে সৈতে তেওঁ কলিকতাত একেলগে পঢ়িছিল, আৰু বন্ধুত্বও কৰিছিল। উমাচৰণ বৰুৱা কলিকতাৰ "চাৰ্কুলাৰ ৰোড"ত এটা ভেৰোণীয়া ঘৰত আছিল, যদিও তেতিয়া তেওঁ বিবাহিত। মই সততে তেওঁৰ ঘৰলৈ গৈছিলোঁ। এদিন বৰুৱাৰ বন্ধু মুখুৰ্জ্জীৰে সৈতে তাতে মোৰ চিনা-পৰিচয় হৈছিল। তাৰ দিনচেৰেকৰ পিছত উমা বৰুৱাই হাঁহি হাঁহি মোক কলে, "মুখুৰ্জ্জীৰ দুজনী বিবাহ-যোগ্যা ছোৱালী আছে; আৰু মুখুৰ্জ্জীয়ে বিয়া দিবলৈ দৰা বিচাৰি ফুৰিছে। তোমাক দেখি তেওঁৰ বৰ পছন্দ হৈছে। তেওঁ মোক তোমাৰ আঁতি-গুৰি সুধি লৈ তেওঁৰ এজনী ছোৱালী তোমাকে বিয়া দিব খুজিছে; ধন-বস্তুও খুব দিব। তোমাৰ কি মত?" কথাটো শুনি মই চমক খাই গলোঁ। ভবিলো কি বিপদ! বিয়া নামৰ দুষ্টগ্ৰহে মোক নেৰা হল দেখিছোঁ। মোৰ গৌৰৱণীখনকে এবাৰ কাৰবাৰ হতুৱাই চোৱামনেকি?

বৰুৱাৰ সেই কথাষাৰ পাতলাই দিলোঁ। তাৰ পাছতো কিছুমান দিনলৈকে বৰুৱাৰ সেই কথাটো

মোৰ কাণত কুছলিয়াই আছিল। যেতিয়া তেওঁ খাতাংকৈ বুজিলে যে "মিঞা গৱৰ্ণমেন্ট" তেতিয়া তেওঁ "চহৰকা কাজী"ৰ বাবটো ইস্তফা দি পেলালে। সিফালে আসামাৰপৰাও থাকি থাকি, বিয়াৰ প্ৰস্তাৱ-বোৰ নানান বাটেদি মোৰ কাষলৈ আহিবলৈ ধৰিলে। মই কিন্তু অচল-অটল "বক অব-গিব্ৰেল্টৰ।" আইন আৰু এম. এ. পঢ়াত মূৰ পুতি লাগিলোঁ। তথাপি সৈ কাঢ়ি কওঁ যে চৌব্বিশ-পঁচিশ বছৰীয়া ডেকা মই; ওপৰা-উপৰিকৈ বিয়াৰ সুখৰ প্ৰলোভনৰ চোৱে এইদৰে মোৰ মনভেটিৰ তলখন খালি কিছু পৰিমাণে হেলেক্-লেক্ কৰি পেলাইছিল।

ডাঙৰীয়া হৰিবিলাস আগৰৱালাৰ পৰিয়ালেৰে সৈতে আমাৰ ঘনিষ্ঠ বন্ধুত্ব আছিল। সুখৰ বিষয়, আজিও আছে। আগৰৱালা ডাঙৰীয়াকে সৈতে এসময়ত মোৰ বৰ ককাইদেও গোবিন্দ বেজবৰুৱাই মহীশূৰ পৰ্য্যন্ত প্ৰায় গোটেই ভাৰতত ভ্ৰমণ কৰিছিল, আৰু সম্ভৱতঃ আগৰৱালা ডাঙৰীয়াৰ খৰচতে। মই কলিকতালৈ অহাৰ পিছতে, তেখেতৰ মাজু পুতেক, মোৰ সমান বয়সীয়া শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰে সৈতে মোৰ এনে বন্ধুত্ব হয় যে তাত এটোপাও পানী সৰকিব নোৱাৰিছিল। আজি আমি দুয়ো বুঢ়াৰ নিচিনা বুঢ়া হলোঁহক, তাত ফাকটি নাই; দুয়োৰো জীৱনত অলেখ পৰিবৰ্ত্তন ঘটিল; কিন্তু ঈশ্বৰৰ কৃপাত সেই বন্ধুত্বৰ পৰিবৰ্ত্তন আজিলৈকে চুলি এডালৰ সমানো ঘটা নাই; আৰু ঘটিবৰ ভয়ো মোৰ মনত নাই। কেতিয়াবা ঘটে যদিও সি আৰু গোটহে মাৰিব বুলি মোৰ বিশ্বাস। ইংৰাজী সাহিত্য-চৰ্চ্চা, সংস্কৃত সাহিত্য-চৰ্চ্চা, আৰু বাইকৈ অসমীয়া ভাষা আৰু সাহিত্যক উন্নতিৰ হাবিলাসেই, জন্মজয়তে আমাৰ ভিতৰত বন্ধুতাৰ সূত্ৰপাত কৰে। তাৰ ফলত "জোনাকী" নামৰ মাহেকীয়া কাকতৰ জন্ম আৰু বৃদ্ধি হল। কিছুকালৰ পিছত তাৰ যি ক্ষয়টো হৈছিল সি আমাৰ হাতৰপৰা মিঠভাষী হাঁহি-মুখীয়া চন্দ্ৰকুমাৰে প্ৰথম দৰ্শনতে মোৰ মন অধিকাৰ কৰি পেলালে। ইংৰাজীত "love at first sight" বোলাৰ নিচিনা কথাই। সেই দিন ধৰি আজিলৈকে সেই বন্ধুত্বও চিঁচিৰা নাই। চিঁচিঁৰা শব্দটো ব্যৱহাৰ কিয় কৰিলোঁ, তাৰ কাৰণ লোকৰ এষাৰ কথা আছে যে "তিনি কুৰি বছৰৰ মূৰতহে খোলাকটিয়ে চিঁচিঁৰায়" অথাৎ খোলা disintegrate হবলৈ অৰ্থাৎ খহি বাবৰ কালে যাবলৈ, কমপক্ষেও তাৰ তিনি কুৰি বছৰ লাগে, সি এনে এটা টান বস্তু। এতেকে আমি দুয়ো জীয়াই থকা কালডোখৰত আমাৰ বন্ধুত্বই চিঁচিয়াবৰ কোনো আশঙ্কা নাই।

কলিকতাৰ বৰজাৰত আৰ্ম্মেনিয়ান ষ্ট্ৰীটৰ ১০ নম্বৰ ঘৰটো হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ বাণিজ্য-ব্যৱসায়ৰ আৰু বাসস্থানৰ "কুঠী" আছিল। এজন অসমীয়াৰ কলিকতাত তেনে এটা বৰ কুঠী বৰবজাৰত থকা দেখি মোৰ মনটো জাতীয় গৌৰৱত ওকন্দি পৰিছিল।

চন্দ্ৰকুমাৰ হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ মাজু পুতেক, সেইদেখি তেওঁলোকৰ ঘৰৰ সকলোৱে তেওঁক "মাজিউ" বুলি মাতে; ময়ো সেই মাতকে লওঁ। আজি পৰিমিত মোৰ মুখত সেই মাত, আৰু তেওঁৰ মুখত মোৰ প্ৰতি ওলোৱা "বেজ" মাতে দেনা-পাওনা সমান কৰি থৈছে। মই আহৰি পালেই ১০ নম্বৰ আৰ্ম্মেনিয়ান ষ্ট্ৰীটলৈ তিক তিক কৰে লৰ ধৰোঁ; আৰু তেওঁ আহৰি পালেই মই থকা ঠাইত ওলায়হি। মুঠতে আমি দুইবো ভিতৰত বন্ধুতাৰ বাণিজ্যত "বিলাত বাকী" পৰিবলৈ নিদিছিলোঁ। মাজিউৰ ঘৰত আমাৰ মুখত সাহিত্য-চৰ্চ্চা, পেটত নানাবিধ আহাৰ-চৰ্চ্চা, আৰু মই থকা ঠাইত অকল শুকন সাহিত্য-চৰ্চ্চা চলিছিল, এই যাখোন প্ৰভেদ। কিছু দিনৰ পিছত বন্ধুবৰ (পণ্ডিত) হেমচন্দ্ৰ গোস্বামীও আমাৰ ভিতৰত সোমাল আৰু আমি নিবহ-নিপানীকৈ "ত্ৰিনিটি" হলোঁহক, অৰ্থাৎ একেই তিনি, তিনিযেই এক।

বৈকুণ্ঠনাথ দত্ত নামৰ এজন বৃদ্ধ বঙ্গালী ভদ্ৰলোক ১০ নম্বৰ আৰ্ম্মেনিয়ান ষ্ট্ৰীটলৈ মাজে-সময়ে যোৱা মই দেখিছিলোঁ। তেওঁ ডাঙৰীয়া হৰিবিলাস আগৰৱালাৰ কিছু দূৰ প্ৰিয়পাত্ৰ আছিল; সেইদেখি পুতেকসকলেও তেওঁক ভাল পাইছিল। বৈকুণ্ঠ বাবু জোড়াসাঁকোৰ ঠাকুৰ পৰিবাৰৰ ভিতৰতো মূৰি কুৰা উপাসক শ্ৰেণীৰ মানুহ আছিল। গুৰিতে কেনেকৈ মই নাজানো, তেৱেঁই "ঠাকুৰবাড়ীত"ত মোৰ বিবাহৰ প্ৰস্তাৱটো আনি মাজিউৰ আগত "পেচ" কৰিলে। তাৰ পিছত ঘটা নানা বিষয়ৰ কথাৰ ভিতৰলৈ নগৈ, চমুকৈ কওঁ, যে "ঠাকুৰ-বাড়ী"ত মোৰ বিবাহ একপ্ৰকাৰ স্বিকৃত হল। সেইবিষয়ে বিচাৰ, বিবেচনা, সিদ্ধান্ত আৰু সঙ্কল্পত মোৰ প্ৰিয়তম বন্ধু "মাজিউ" আৰু "হেম গোসাই" মোৰ সোঁহাত আৰু বাওঁহাত আছিল। আৰু এজন চকা চৰকাকৈ দূৰত আছিল, তেওঁৰ নাম বজ্ৰেশ্বৰ নেওগ। অৱশ্যে তেওঁ আমাৰ ভিতৰুৱা বৃত্তৰ বাহিৰত।

যি কন্যাটিৰ সৈতে মোৰ বিয়াৰ কথা হল, তেওঁৰ "ফটোগ্ৰাফ"অৰ্থাৎ ছবি এখন মোৰ হস্তগত হল। তেওঁৰ বিদ্যা, বুদ্ধি, গুণ, শীলৰ বৰ্ণনাও মোৰ কৰ্ণগোচৰ হল। ঈশ্বৰে জানে কিয়—মোৰ মনে তেওঁক জীৱনৰ সহচৰী সহধৰ্ম্মিণী-স্বৰূপে বৰণ কৰিলে। তেওঁৰ সেই ছবিটোৱে মোৰ মুৰ-

শিতানৰ গাৰুটোৰ তলত ঠাই ললে। দিনে দিনে মোৰ মনৰ সঙ্কল্প দৃঢ় হৈ আহিল। আজি-কালিৰ শিক্ষিত-শিক্ষিতা ডেকা-ডেকেৰীসকলে শুনি shocked নহলেও আচৰিত মানিব যে বিয়াৰ আগৰ মুহূৰ্ত্তলৈকে আমাৰ ভিতৰত "কোৰ্টশ্বিপ" অৰ্থাৎ বিয়াৰ উমেদাৰি চলা নাছিল; পৰস্পৰৰ চিত্তাকৰ্ষণৰ নিমিত্তে মায়ৰ-খেলৰ ভাৱনা কৰা হোৱা নাছিল; পূৰ্ব্বৰাগৰ উমা জুইকুৰা ফুঁৱাই ফুঁৱাই জ্বলোৱা হোৱা নাছিল; কাৰণ আমাৰ দুয়োৰো তেনেকুৱা বস্তুলৈ কোনো আগ্ৰহ নাছিল; থকাহেঁতেন সেই ভাৱনা সমাপতি হোৱাত কোনো ব্যাঘাতো নহলহেঁতেন; কিয়নো সেই পৰিবাৰত মৰ্য্যাদা, সন্মান আৰু শীলতা ৰাখি তেনে কাৰ্য্য একেবাৰেই নিষেধ (taboo) নাছিল। মই তেওঁক চিত্ৰত দেখিলোঁ সুন্দৰী, আৰু বিশ্বস্ত লোকৰ বৰ্ণনাত শুনিলোঁ সুন্দৰী, সুশীলা, আৰু যাইকৈ ধৰ্ম-প্ৰৱণা;—সেয়েই মোৰ নিমিত্তে প্ৰচুৰ।

এই পৃথিৱীখন যে প্ৰতাৰকৰ পৃথিৱী, এই ধাৰণা মোৰ কেতিয়াও হোৱা নাই, আৰু কিজানি নহয়ো। প্ৰতাৰক অৱশ্যে আছে; কিন্তু ইমান সৰহ নহয় যে ধনিষ্ঠ আৰু ন্যায়ৰত-সকলক সিহঁতে উটাই নিব পাৰে।

এইখিনিতে কোনোবাই মোক সুধিব পাৰে, যে "তুমি ইয়াৰ আগতে ঢোলৰ মাবিডাল হাতত লৈ ইমানকৈয়ে বজাই কৈছিলা যে তুমি নিজে আৰ্জ্জি খাব পৰা নহলে বিয়া নকৰোঁ; সেই কথাষাৰ কোনটো আখাৰ তললৈ গ'ল?" মই উত্তৰ দিম,—"ঠিক কৈছা মোৰ ভাইটি। সি মোৰ আখলত থকা বৰ আখাটোৰ তললৈকে গল। কিন্তু মই ইচ্ছা কৰি তাক তালৈ পঠিওৱা নাছিলোঁ; বাহিৰত বলা বলী বতাহৰ চৌৱে কোবাই নি তাৰ তেনে গতি কৰিলে। "Man proposes, God disposes" বোলা ইংৰাজী কথাষাৰ পাহৰিলে নচলিব। ঈশ্বৰৰ ইচ্ছাৰ আগত আমি বালি-চাহী নৰ-মনিচৰ ইচ্ছা কোন কুটা? আসামতো মোৰ বিয়াৰ প্ৰস্তাৱৰ প্ৰবল চৌৰ কোব ইমানকৈ উঠিছিল, আৰু তাক চালনাৰ ভাৰ মোৰ পূজনীয়া মাতৃদেৱী আৰু ভ্ৰাতাসকলে এনেকৈ কৈছিল যে সেই চৌৱে কোবাই খচিৰতে মোৰ বিয়াৰ বিৰোধী সঙ্কল্পৰ তিল-ফুল কল্পটুৰা সোপাকে যে এদিন উটাই লৈ যাব সেইটো মোৰ মনত চেৰাই আছিল। আকৌ সেই দেখি কওঁ,—ঈশ্বৰৰ ইচ্ছাত সকলো হয়। "There is Divinity even in the fall of a sparrow" —মহাকবি শ্যেক্সপীয়েৰৰ কথা। অসমীয়া বুঢ়া মানুহৰ কথা হৈছে;—"যি পূৰ্ব্ব জন্মত যাৰ তিল-মাহ খাই আহিছে তাৰে সৈতে সেইজনৰ বিয়া।"

১৮৯১ খ্ৰীষ্টাব্দত মহা মহা বাৰুণীত পিতৃদেৱতাই মোৰ মাতৃদেৱী আৰু দুজন পুত্ৰেকেৰে সৈতে গঙ্গাস্নান কৰিবলৈ কলিকতালৈ আহিছিল। মই মেডিকেল ষ্ট্ৰীটত এটা ঘৰ ভেৰোণীয়াকৈ লৈ তেওঁলোকক তাতে থাকিবলৈ দিহা কৰি দিছিলোঁ; তেওঁলোকে কলিকতা পোৱাৰ পিছদিনাই মোৰ কাণ-সমনীয়া সৰু ভাই লক্ষ্মণ তাতে মাউৰত পৰিল আৰু বাৰ ঘণ্টাৰ ভিতৰতে ঢুকাল। আমি কি শোক-সাগৰত বুৰিলোঁ তাক অন্তৰ্য্যামীজনেহে জানে। লক্ষ্মণক কান্ধত লৈ নিমতলা ঘাটত পুৰি আহিলোঁগৈ। মাতৃদেৱী শোকত জলকা লাগিল। পিতৃদেৱতা যদিও আন্তৰিক শোকত ম্ৰিয়মাণ হৈছিল, তথাপি তেওঁ ধৈৰ্য্য ধৰি নিজক থিৰ ৰাখি আমাক সান্ত্বনা দিবলৈ ধৰিলে। গঙ্গাগোবিন্দ ফুকন (জি. জি. ফুকন) তেতিয়া কলিকতাতে আছিল। ফুকন বেজবৰুৱাৰ পৰিয়ালৰ চিৰকলীয়া বন্ধু। তেওঁ ওবে ৰাতি লক্ষ্মণৰ নৰিয়াত পৰ দি আছিল। লক্ষ্মণৰ মৃত্যুত শোক সম্বৰিব নোৱাৰি, সেই গহীন গম্ভীৰ পুৰুষ-জনে তিৰোতাই কন্দাদি যেনেকৈ কান্দিছিল, সেই হৃদয়-বিদাৰক দৃশ্য আজিলৈকে মোৰ মনত আছে।

পিতৃদেৱতাই যদিও আমাৰ শোকৰ বাহ্যিক কাৰ্য্যাৱলীত যোগ দিয়া নাছিল তথাপি মোৰ বুজিবলৈ বাকী নাছিল, যে তেওঁৰ হিয়া চূৰ্ণ্ণ হৈ গৈছিল। লক্ষ্মণৰ মৃত্যুত তেওঁৰ জীৱনৰ এক মাথোন আশাৰ পুলিটি সমূলঞ্চে বিনষ্ট হল। পাশ্চত্য শিক্ষাই তেওঁৰ আনবোৰ লৰাৰ বিপৰ্য্যয় ঘটোৱা দেখি তেওঁ পুৰণি আসামৰ চিৰপ্ৰৱাহিত শিক্ষা-দীক্ষা, আৰু যাইকৈ আমাৰ বংশত, অসমৰ "বুঢ়াভগনীয়া ৰজা"ৰ দিনৰে-পৰা ধাৰাবাহিক-ৰূপে চলি অহা আয়ুৰ্ব্বেদিক বিদ্যা অক্ষুন্ন ৰাখিবৰ মনেৰে পিতৃদেৱতাই অতি যত্ন কৰি নিজৰ মনৰ নিচিনাকৈ শিক্ষা দি লক্ষ্মণক প্ৰস্তুত কৰিছিল। তেওঁৰ চকুৰ আগতে সেই লক্ষ্মণৰ মৃত্যু। গঙ্গাগোবিন্দ ফুকনক তেওঁ এষাৰ মাথোন কথা কৈছিল,—"ঈশ্বৰৰ ইচ্ছা যে, আসামত আমাৰ বংশত অত কালৰপৰা প্ৰচলিত আয়ুৰ্ব্বেদ বিদ্যা লোপ পাব লাগে।"

বাৰুণীত স্নান কাৰ্য্যাদি সমাপন কৰি পিতৃদেৱতা সপৰিবাৰে আসামলৈ উভতি গল; তাৰ এমাহ-মানৰ পিছতে, মোৰ বৰককাইদেও গোবিন্দচন্দ্ৰ বেজ-বৰুৱাৰপৰা এদিন হঠাৎ এখন টেলিগ্ৰাম পালোঁ, যথা—"Your marriage settled with—'s daughter come immediately." অৰ্থাৎ অমুকৰ জীয়েকৰ সৈতে তোমাৰ বিয়া ঠিক হৈছে, তৎক্ষণাত আহিবা। উত্তৰত মই টেলিগ্ৰাম কৰিলোঁ,—"My marriage settled with Maharsi Devendranath Tagore's graud-daughter"

মানে, মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ নাতিনীয়েকৰ সৈতে মোৰ বিয়া ঠিক হৈছে। ইয়াৰ পিছত কতখন টেলিগ্ৰাম দুই ফালৰপৰা আহিল গল, ঠিক নাই। শেষৰ-খনত লিখিলোঁ—"My marriage will be celebrated to-morrow positively" মানে ১৮৯১ খ্ৰীষ্টাব্দৰ মাৰ্চ্চ মাহৰ ১১ তাৰিখে। মোৰ বিয়াৰ এই খবৰে ৰংপুৰ, যোৰহাট, গোলাঘাটত কত কল্পনা-জল্পনাৰ আন্দোলন সৃষ্টি কৰিলে, সেই-বোৰৰ বিৱৰণ দি আৰু প্ৰবন্ধ দীঘলাওঁ। তেতিয়া কলিকতাত থকা গঙ্গাগোবিন্দ ফুকনলৈকো আমাৰ ঘৰৰপৰা, বিয়া ভাঙ্গি দিবলৈ কেইবাখনো টেলিগ্ৰাম আহিছিল। তেওঁ সেই সম্পৰ্কে কি কৰিছিল--মই নাজানোঁ। তেও নিমন্ত্ৰিত হৈও মোৰ বিয়ালৈ অহা নাছিল। কিন্তু বিয়াৰ দিন চাৰেকৰ পাচত তেওঁ আৰু তেওঁৰ গৃহিণীয়ে আমাক দুয়োকো তেওঁ থকা ঘৰত ভোজ খাবলৈ মাতিছিল, আৰু আমাক বৰ আদৰ-সাদৰ কৰিছিল। ইংৰাজ কবি গল্ডস্মিথৰ "ডেজৰ্টেড ভিলেজ্" নামৰ কিতাপখন তেওঁলোকে বিয়াৰ যৌতুক-স্বৰূপে মোক দিছিল। ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাও সেই সময়ত সস্ত্ৰীক কলিকতাতে আছিল। তেওঁৰ লৰা-ছোৱালীকেইটিও তেওঁৰ লগতে আছিল। তেওঁলোককো নিমন্ত্ৰণ কৰা হৈছিল; কিন্তু বিয়া-ঘৰত দেখিবলৈ নাপালোঁ। তেৰোঁ বিয়াৰ কিছুমান দিনৰ পিচত তেওঁলোকৰ ঘৰত সস্ত্ৰীক মোক নিমন্ত্ৰণ কৰি বৰ মৰম-চেনেহ কৰি খুৱাইছিল। তেতিয়া কলিকতাত থকা প্ৰায় সকলোবোৰ অসমীয়া ছাত্ৰবে বিয়ালৈ আহি ভুৰি-ভোজন কৰি পৰিতুষ্ট হৈ গৈছিল।

এইখিনিতে এটা কথাৰ উল্লেখ কৰা উচিত যেন ভাবিছো, কাৰণ যাই ঘটনা মই লুকচুৰ্ নকৰোঁ। অৱশ্যে সৰু-সুৰা কথা পাহৰণিৰ বুকুত সোমাই যোৱাৰ বাবে কেতিয়াবা কওঁতে ভুলো হব পাৰে।

মই তেতিয়া কলিকতাৰ শানকিভাঙ্গা নামৰ ঠাইৰ ২নং ভবানীচৰণ দত্তৰ গলিত, জনচেৰেক বাছকবনীয়া অসমীয়া ছাত্ৰবে সৈতে "মেছ" কৰি একেলগে আছিলোঁ। "ঠাকুৰবাড়ী"ত যেতিয়া মোৰ বিয়া একৰকম ঠিক হল, মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ এজন বিশ্বস্ত কৰ্ম্মচাৰীয়ে মোৰ থকা ঠাই ২নং ভবানীচৰণ দত্তৰ লেনৰ ঘৰলৈ আহি, মোক বিশ্বাসতে সুধিছিল,—বিয়াত মোৰ ফালৰপৰা condition অৰ্থাৎ দাবী কি? অৰ্থাৎ মই কিমান টকা বিচাৰোঁ? মোৰ অবিদিত নাছিল যে বঙ্গদেশত দৰাৰ ফালৰপৰা ছোৱালীৰ অভিভাৱকৰপৰা ধন-বিত বিচৰা হয়; আৰু সেই ধন দিয়া আৰু লোৱাৰ দৰ-দস্তৰৰ এটা মীমাংসা হলেহে বিয়া হয়। সেইটোৱে অতি জঘন্য কু-প্ৰথা, আন নালাগে বঙ্গালীসকলেও স্বীকাৰ কৰে, কিন্তু মুখেৰে স্বীকাৰ কৰিলে কি হব? কাৰ্য্যত, আন নালাগে বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষা পোৱা বি. এ. এম্. এ. "পাছ" কৰাসকলৰ ভিতৰতো সি আজিও প্ৰবলভাৱে চলি আছে। তাৰ ফলত, অলেখ মজলীয়া তবপৰ বঙ্গালী সৰ্ব্বস্বান্ত হৈছে; আৰু কেইবাটাও অতি শোচনীয় ঘটনা হৈ যোৱাৰ বাতৰি কাকত-পত্ৰত ছপা হৈ ওলাইছে; যেনে,—কিছু কালৰ আগতে ঘটা স্নেহলতাৰ জুইত জাহ; আৰু সিদিনাও চাৰিজনী অবিবাহিতা বায়েক-ভনীয়েকে বাপেকক ধ্বংসৰপৰা ৰক্ষা কৰিবলৈ স্বেচ্ছাতে কানি-পান আৰু আত্মহত্যা কৰা। মই সেই কৰ্ম্মচাৰীজনক উত্তৰ দিলো,—"আসামত অসমীয়া মানুহৰ ভিতৰত ধন লৈ ছোৱালী বিয়া কৰোৱা প্ৰথা নাই। অসমীয়াই অন্তৰেৰে সৈতে তেনেকুৱা প্ৰথাক ঘিণ কৰে। মই বঙ্গদেশৰ ভিতৰত শিক্ষিত সুমাৰ্জ্জিত আৰু শ্ৰেষ্ঠ পৰিবাৰত বিবাহ সম্বন্ধেৰে বান্ধ খাবৰ নিমিত্তেহে প্ৰস্তুত হৈছোঁ, বণিমান দৰে ধন-বিত বিচাৰি সেই কাৰ্য্য কৰিবলৈ ওলোৱা নাই।"

মোৰ উত্তৰটো শুনি কৰ্ম্মচাৰীজনৰ মুখখন জামৰি গল। তেও মোৰপৰা ক্ষমা প্ৰাৰ্থনা কৰি উঠি গুচি গল, অৱশ্যে মোক মহামূৰ্খ বিদেশী অসমীয়া বুলি পেটে পেটে ভাবিছিলনে নাই, মই কব নোৱাৰোঁ। মোৰ বিয়াৰ পিছত মোৰ সহধৰ্ম্মিণীৰ মুখৰ পৰা শুনিছিলোঁ, যে "কৰ্ত্তামশায়" অৰ্থাৎ তেওঁৰ ককাদেউতাক মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰে মোক দিবলৈ দহ হাজাৰ টকা তেওঁৰ কাছাৰীৰ খাজাঞ্চিৰ হতুৱাই টোপোলা বন্ধোৱাই থৈছিল। তেওঁলোকৰ পৰিয়ালত আগে-পিছে জোঁৱায়েকে তেনেকৈ টকা লয়;—তেহেলৈ সেইজন "বিলাত-ফেৰ্ত্তাই" হওক, বা স্বদেশতে বংশমৰ্য্যদা আৰু লেখা-পঢ়াত জিলিকাই হওক। মই নলওঁ বুলিলো দেখি সেই টকা দিয়া নহল। গৃহিণীৰ এই কথা শুনি মই দুখিত হোৱা দূৰত থাকক, আত্মগৌৰৱ অনুভৱ কৰি মিচিক্ কৰে মাখোন হাঁহিলো। ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াই খুব সম্ভৱ, কেনেবাকৈ এই কথাৰ সম্ভেদ পাইছিল। তেওঁৰ ঘৰত মোক সস্ত্ৰীক নিমন্ত্ৰণ কৰি খুউৱা দিনা, তেওঁ তেওঁৰ হাতৰ তলুৱাখন মেলি ঠোলা পাতি দেখুৱাই মোক আকাৰে ইঙ্গিতে এইদৰে কৈছিল—"আমি বামুণ মানুহ। বামুণে সদায় সোঁ হাতৰ তলুৱাখন মেলি ঠোলা পাতি থয়; লুটিয়াই উবুৰিকৈ নথয়।" সেইদিনাও সেই কথাত মোৰ মুখত মিচিকীয়া হাঁহি বিৰিঙিল।

মই বিয়াৰ দিনাহে, আমাৰ অসমীয়া মাতেৰে কবলৈ গলে, "হোমৰ গুৰি"ত প্ৰথমতে মোৰ ভাবী সহধৰ্ম্মিণীৰ মুখখন দেখিছিলোঁ। অৱশ্যে আমাৰ বিয়াত "হোম-পোৰা" হোৱা নাছিল; কাৰণ আদি

ব্ৰাহ্মসমাজৰ বিধিমতে আমাৰ বিয়া হৈছিল ; তাত হোম পুৰি বিয়া দিয়াৰ বিধান নাই ; শালগ্ৰাম আৰু হোমৰ বাহিৰে হিন্দু বিয়াৰ সকলো আচাৰৰ ব্যৱস্থা তাত আছে।

কেশৱবাবুৰ "নব-বিধান"ত আৰু সাধাৰণ "ব্ৰাহ্মসমাজ"ত প্ৰচলিত ৰেজিষ্টাৰি বিয়াও "আদি ব্ৰাহ্মসমাজ"ত নাই। সেই দেখি,—আদি-ব্ৰাহ্ম সমাজৰ আন আন কাৰ্য্যতো হিন্দুৰ ৰীতি-নীতিলৈ সৰহীয়া পক্ষপাত দেখি সাধাৰণ ব্ৰাহ্মসমাজৰ ৰৱকৈ আগ বাঢ়োঁতা go-ahead সকলে আদি-ব্ৰাহ্ম-সমাজক হিন্দু-সমাজ বুলি ইতিকিং কৰে। সুখৰ বিষয় যে আদি-ব্ৰাহ্ম-সমাজভুক্তসকলে সেই ইতিকিং compliment অৰ্থাৎ নিন্দা নুবুলি বন্দনা বুলিহে লয়। আজিলৈকে চেঞ্চাছ ৰিপোৰ্টত আদি-ব্ৰাহ্মসমাজৰ মানুহে নিজক হিন্দু বুলি লেখাইহে গৌৰৱ অনুভৱ কৰে। মহৰ্ষিৰ মুখ্য idea বা ভাবেই গুৰিৰেপৰা তেনেকুৱা। আদি সমাজ বৈদিক কালৰ অপৌত্তলিক আৰ্য্য হিন্দু সমাজৰ আহিত গঠিত। বেদ আৰু উপনিষদত তাৰ ভেটি। বেদ-উপনিষদৰ সাৰ ভাগ গ্ৰহণ, আৰু অলাগতিয়াল ভাগ-বৰ্জ্জন—অৱশ্যে অৱজ্ঞাভাৱে বৰ্জ্জন নহয়। মহৰ্ষিৰ এই মূল ভেটিৰপৰা ফাটি নৱবিধান আৰু সাধাৰণ সমাজ হল ;—যেতিয়া প্ৰথমতে কেশৱচন্দ্ৰ সেনে আৰু তাৰ পিছত তেওঁৰ লগৰীয়াসকলে মহৰ্ষিৰ আদৰ্শ গ্ৰহণ কৰিব নোৱাৰা হল। দয়ানন্দ সৰস্বতীৰ আৰ্য্য-সমাজেৰে সৈতে আদি সমাজৰ পোন্ধৰ অনা মিল ;—মাথোন আৰ্য্য সমাজৰ সিদ্ধান্ত যে বেদ একেবাৰে সকলো বিষয়তে অভ্ৰান্ত আৰু হোম সকলোৰে কৰ্ত্তব্য, যাইকৈ এই দুটাত বিভিন্নতা। মোৰ বিয়াত "সপ্তপদী গমন", "স্ত্ৰী-আচাৰ", "শুভদৃষ্টি" আৰু হিন্দুৰ বিয়াৰ বিধিত অনুষ্ঠেয় প্ৰায় সকলোবোৰ বৈদিক মন্ত্ৰৰ সমাৱেশ আছিল। মুঠতে সি শালগ্ৰাম আৰু হোম-বিহীন হিন্দুবিয়া। বিয়াৰ বেদীৰ কাষত প্ৰথমতে মোৰ ভাৰী সহধৰ্ম্মিণীক দেখিলোঁ ; আৰু তাৰ পিছত কাপোৰৰ ঢাকোনৰ তলত "শুভদৃষ্টি"ত।

আমাৰ সপ্তপদী গমনৰ পিছত কাপোৰৰ ঢাকোনৰ তলত দুয়ো থিয় হলোঁ ; কাপোৰৰ আঁৰৰ আমাৰ দুইৰো যেতিয়া শুভদৃষ্টি ঘটিল, মোৰ সহ-ধৰ্ম্মিণীয়ে ফিক্ কৰে হাঁহি পেলালে। তেওঁৰ তেনে অৱস্থা দেখি মোৰো মুখত তেনে ভাৱৰে হাঁহি বিৰিঙি উঠিল। সিকালে আমাক বৰণ কৰিবৰলৈ তাত সমৱেত মহিলাসকলে,

> আয় ৰে আয়   সোণাৰ জামাই
> বৰণ কৰি শাঁখ বাজায়ে।
> দেখোঁ যেন   যেয়ো নাকো
> সান্না তলায় মন হাৰায়ে।"

হঠাৎ মনত পৰি, বিয়াৰ কিছুমান দিনৰ পিছত এদিন মোৰ গৃহিণীক সুধিছিলোঁ, তেওঁ বিয়াৰ দিনা সেই শুভদৃষ্টিৰ সময়ত সেইদৰে হাঁহিছিল কিয় ? তেওঁ মোক উত্তৰ দিলে,—"বিয়াৰ অনেক দিনৰ আগতে তোমাক মই এদিন সপোনত দেখিছিলোঁ। মই সমাজিকত দেখা মুখখনেৰে সৈতে তোমাক হুবহুকৈ মিলি যোৱা দেখি মোৰ হাঁহি উঠিছিল।" সন্দিগ্ধ চিত্তৰ (sceptic) মানুহে কথাষাৰ পতিয়াবলৈ টান পাব বুলি মই বুজিছোঁ ; মই কিন্তু নাপাওঁ। তাৰ কাৰণ,— বিয়াৰ দিনাৰপৰা আজিলৈকে মই নানা বিষয়ত আৰু নানা অৱস্থাত দেখি আহিছোঁ যে তেওঁ কেতিয়াও মিছা কথা নকয় ; আৰু সদায় ধৰ্ম্মভীৰু (pious)। জোৰাসাঁকোৰ পৰিয়ালৰ ভিতৰতো তেওঁৰ সেই সুখ্যাতি আছে। মোৰ কথাষাৰ পক্ষপাতমূলক বুলি যাৰ পতিয়াবৰ মন নাযায়, সেইজনে নপতিয়ালেও মই বেয়া নাপাওঁ ; মই মোৰ জ্ঞান-বিশ্বাসমতে কৈ থলোঁ মাথোন। মোৰ সৈতে তেওঁৰ বিয়াৰ সম্বন্ধ হোৱাৰ আগেয়ে কেইবাৰাৰো একোজন কৃতী শিক্ষিত আৰু সম্ভ্ৰান্ত পৰিবাৰৰ ডেকাৰে সৈতে তেওঁৰ বিবাহৰ সম্বন্ধ প্ৰস্তাৱ হৈছিল। প্ৰত্যেক বাৰতে তেওঁ দৃঢ়ভাৱে অসন্মতি প্ৰকাশ কৰিছিল। কিন্তু কিয় কব পৰা নাযায়, মোৰ বেলিকা তেওঁ একেআষাৰতে হয় বুলি সন্মতি দিলে। অথচ তেওঁ মোক চৰ্ম্ম-চকুৰে আগেয়ে কেতিয়াও দেখা নাছিল। এই প্ৰহেলিকাৰ তাৎপৰ্য্য উলিওৱাটো মোৰ পক্ষে সাধ্যাতীত। মই এই মাথোন জানো যে প্ৰকৃত বিবাহ মাথোন পাৰ্থিৱ বস্তুৰ পাৰ্থিৱ মিলন নহয় ; সি দুই আত্মাৰ (soul) আধ্যাত্মিক মিলন ; আৰু ঈশ্বৰৰ ইচ্ছাত সংঘটিত ব্যাপাৰ। বিয়াৰ আগেয়ে ময়ো প্ৰথমতে যেতিয়া ফটোগ্ৰাফত তেওঁৰ প্ৰতিকৃতি দেখিলোঁ, হঠাৎ মোৰ মনত বিজুলী মৰাৰ দৰে মাৰিলে যেন সেই মুখখন মোৰ অনেক কালৰ চিনাকি। এই কথাবোৰ trash অৰ্থাৎ ফপহতা বুলিবৰ যাৰ ইচ্ছা হয়, বোলক ; মই কিন্তু জানোঁ,—ধ্ৰুৱ।

বিয়াৰ তিনি দিনৰ পিছত ২নং ভৱানীচৰণ দত্তৰ লেনৰ ঘৰলৈ মই উভতি আহিলোঁ, আৰু আগৰ দৰে থাকিবলৈ ধৰিলোঁ। মোক উভতি অহা দেখি মোৰ মেছৰ লগৰীয়াসকলে আচৰিত মানিলে ; কাৰণ তেওঁলোকে ভাবিছিল যে সজাৰপৰা ওলাই যোৱা এই চৰাইটো আকৌ উভতি নাহে। অৰ্থাৎ তেওঁলোকে ভাবিছিল, মই শহুৰৰ

ঘৰতে বসতি কৰিম। ঠাকুৰ পৰিয়ালৰ জোঁৱাইৰ সম্পৰ্কে তেওঁলোকৰ তেনে ধাৰণা হোৱাটো আচৰিত কথা নহয়। আজি মই দুই হাত মেলি তেওঁলোকক আঁকোৱালি মাৰি ধৰিবলৈ ; ভাবাৰ্থ,—মই আগেয়ে যেনেকৈ তোমালোকৰ আছিলোঁ এতিয়াও তেনে ; তোমালোকে মোক সাদৰি লোৱাইক।

ওপৰত কৈ আহিছোঁ, ১৮৯১ খ্ৰীষ্টাব্দৰ মাৰ্চ্চ মাহৰ ১১ তাৰিখে মোৰ বিয়া হয়। সেই কালত ঠাকুৰ-পৰিয়ালৰ মুকুট-মণি মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰ জীয়াই আছিল। তেতিয়া তেওঁ নিজা ঘৰ জোড়া-সাঁকোত নাথাকি, পাৰ্ক ষ্ট্ৰীটত এটা প্ৰকাণ্ড ঘৰ কেৰেয়া কৰি লৈ তাতে আছিল। জোড়াসাঁকোৰ ঘৰত তেতিয়া তেওঁৰ বৃহৎ পৰিবাৰ—পুতেক, জীয়েক নাতি-নাতিনী প্ৰভৃতিৰে ভৰপূৰ ; ঠিক যেন ডাঙৰ মৌচাক এটাত মৌ-মাখিৰ থূপ। পাৰ্ক ষ্ট্ৰীটৰ ঘৰত মহৰ্ষিৰে সৈতে তেওঁৰ বৰ পুতেক সুবিখ্যাত দাৰ্শনিক দ্বিজেন্দ্ৰনাথ ঠাকুৰ ; "অশ্ৰুমতী", "সৰোজিনী" প্ৰভৃতি নাটক-প্ৰণেতা আৰু প্ৰথমতে কলিকতাত স্বদেশী জাহাজ চলাওঁতা পঞ্চম পুতেক জ্যোতি-ৰিন্দ্ৰনাথ ঠাকুৰ ; মহৰ্ষিৰ বিধৱা বৰ জীয়েক সৌদামিনী দেৱী আছিল। জোড়াসাঁকোৰ ঘৰত মহৰ্ষিৰ নুমলীয়া পুতেক ৰবীন্দ্ৰনাথ ঠাকুৰ (পিছত বিশ্ববিখ্যাত কবি), চতুৰ্থ পুতেক বীৰেন্দ্ৰনাথ ঠাকুৰ (যি প্ৰতিভাশালী সন্তান বলেন্দ্ৰনাথ ঠাকুৰৰ বাপেক) আৰু ষষ্ঠ পুতেক সোমেন্দ্ৰনাথ ঠাকুৰ। মহৰ্ষিৰ তৃতীয় পুতেক হেমেন্দ্ৰনাথ ঠাকুৰৰ বিধৱা পত্নী মোৰ শাহু আই, তেওঁৰ তিনি পুতেক হিতেন্দ্ৰ, ক্ষিতীন্দ্ৰ আৰু ঋতেন্দ্ৰ, আৰু জীয়েকহঁতৰে সৈতে তাতে। সৌদামিনী দেৱীৰ পুতেক সত্যপ্ৰকাশ গাঙ্গুলী সপৰিবাৰে সেই ঘৰতে আৰু মহৰ্ষিৰ এজন জোঁৱায়েক যদুনাথ মুখাৰ্জ্জী সপৰিয়ালে তাতে বাস কৰিছিল। কাৰেওৰ নিচিনা সেই বিৰাট ঘৰখন সাজ-পাৰ, দাৰোৱান, চকীদাৰ, কৰ্ম্মচাৰীৰে সৈতে তেতিয়া এটা বিৰাট ব্যাপাৰ। মহৰ্ষিৰ জমিদাৰী কাছাৰীও সেই চৌহদৰ ভিতৰতে। মহৰ্ষিৰ পৰিয়ালেৰে ভিতৰুৱা গগনেন্দ্ৰনাথ ঠাকুৰ, কলাবিদ অবনীন্দ্ৰনাথ ঠাকুৰ (পিছত চি. আই. ই) আৰু ভায়েক সমৰেন্দ্ৰ-নাথ ঠাকুৰো সপৰিবাৰে সেই প্ৰকাণ্ড চৌহদৰ ভিতৰতে।

অনেক বছৰৰ পিছত জোৰাসাঁকোৰ ঠাকুৰ পৰিয়ালৰ ভিতৰত এইখন বিয়া ; সেই দেখি এইখন বিয়াই পৰিবাৰৰ সকলোৰে মন আকৰ্ষণ কৰিছিল ; আৰু মোৰো ভাগ্যত সকলোৰেপৰা আদৰ-সাদৰ লাভ হৈছিল। সুবিখ্যাত বাৰিষ্টৰ এ. চৌধুৰীৰ (পিছত কলিকতা হাইকোৰ্টৰ জজ স্যাৰ আশুতোষ চৌধুৰী) সহধৰ্ম্মিণী প্ৰতিভা দেৱী মোৰ ভাৰ্য্যাৰ আপোন বায়েক। প্ৰতিভা দেৱীৰ বিয়াৰ প্ৰায় ৮।৯ বছৰৰ পিছত এইখন বিয়া। এই দীঘলীয়া ব্যৱধানে মোক সুবিধা কৰি দিছিল। সকলো ফালৰপৰা আমাৰ নিমন্ত্ৰণ, পাৰ্টি ইত্যাদিৰ জাউৰি উঠিবলৈ ধৰিলে। মহৰ্ষিৰ মাজু পুতেক পূজনীয় সত্যেন্দ্ৰনাথ ঠাকুৰ ভাৰতীয়ৰ ভিতৰত প্ৰথম চিভিলিয়ান। তেওঁৰ সহধৰ্ম্মিণী শ্ৰীমতী জ্ঞানদানন্দিনী দেৱীয়ে, পুতেক সুৰেন্দ্ৰনাথ ঠাকুৰ আৰু জীয়েক ইন্দিৰা দেৱীৰ সৈতে, কলিকতা ময়দানৰ দক্ষিণ কালে "বিজিতলা" বা ব্ৰজতলা নামৰ ঠাইত স্বকীয়াকৈ এটা প্ৰকাণ্ড ঘৰত বাস কৰিছিল। দিনৌ আবেলি আৰু গধূলি তাত কলিকতা হাইকোৰ্টৰ জজ, বাৰিষ্টৰ আৰু আন আন বৰলোকৰ সমাগম হৈছিল। টেনিচ, পাৰ্টি, খেল, সঙ্গীত প্ৰভৃতি তাত দৈনিক ব্যাপাৰ বুলিলেই হয়। তালৈকো মোৰ প্ৰায় সততে গতি-বিধি আছিল।

এটা কথা মনত পৰিছে, এইখিনিতে কৈ থওঁ। তেতিয়া আমাৰ, বিলাতৰ "কুপৰ্চ্চ হিল" কলেজত পঢ়ি "পাছ" কৰি অহা ইঞ্জিনিয়াৰ বলি-নাৰায়ণ বৰা কলিকতাতে আছিলহি। তেতিয়া তেওঁ কামৰপৰা অৱসৰ লৈয়েই নে, তাৰ আগলিতে আছিলহি মোৰ মনত নাই। তেওঁৰে সৈতে "মিচেজ" সত্যেন্দ্ৰনাথ ঠাকুৰৰ চিনাকি আছিল। বৰা ডাঙৰীয়াও মাজে মাজে বিজিতলাত সমাগত হৈছিল। "মেজ মাই" অৰ্থাৎ মিচেজ সত্যেন্দ্ৰনাথ ঠাকুৰে অসমীয়া বৰাৰে সৈতে তেওঁলোকৰ অসমীয়া ন জোঁৱাইক লগ লগাই দিবৰ মনেৰে এদিন ডাঙৰ "ডিনাৰ পাৰ্টি" এটা দি বৰা ডাঙৰীয়াক নিমন্ত্ৰণ কৰিলে। বৰাই নিমন্ত্ৰণ গ্ৰহণ কৰি যাম বুলি উত্তৰ দিলে। তাৰ পিছত কিয় জনা নগল, তেওঁ নাহিল, আৰু কাৰণো নজনালে। ডিনাৰৰ কাল উকলি গ'ল, উপস্থিত সকলো আলহীয়ে তেওঁলৈ বাট চাই আছে, কিন্তু তেওঁ নোলালহি। মিচেজ ঠাকুৰে অস্বস্তি অনুভৱ কৰিবলৈ ধৰিলে ; কাৰণ তেওঁৰ উদ্দেশ্যটোৱেই বোধকৰোঁ ব্যৰ্থ হল দেখি। মোৰ মনত তেতিয়া খেলোৱা কথাটোও এইখিনিতে কৈ দিওঁ ;—যদিও সি সম্ভৱতঃ ভুল। বৰা ডাঙৰীয়া বিলাত-ফেৰৎ, গৱৰ্ণমেণ্টৰ ভব্য-গব্য কৰ্ম্মচাৰী, মই এটা সামান্য কলেজৰ ষ্টুডেণ্ট। পিছত বৰা ডাঙৰীয়াই মিচেজ ঠাকুৰৰ ভিতৰুৱা উদ্দেশ্যটো সম্ভৱতঃ বুজিব পাৰি কিজানি তেনে কৰিলে। আকৌ কওঁ, তেতিয়াৰ মোৰ এই অনুমানটো সম্ভৱতঃ ভুলেই।

মহৰ্ষি তেতিয়া পাৰ্ক ষ্ট্ৰীটত আছিল বুলি ওপৰত কৈ আহিছোঁ। বিয়াৰ পিছত তেওঁৰ ইচ্ছা অনুসাৰে আমি দুয়ো formally তেওঁৰ আশীৰ্ব্বাদ লবলৈ গলোঁ। তেওঁ মোক আশীৰ্ব্বাদ কৰি সোণৰ

কলম এটা দি কলে,—"তোমাৰ এই কলম থেকে সুনিপুণ লেখা বেৰুবে।" নাতিনীয়েকৰ মূৰত হাত দি আশীৰ্ব্বাদ কৰি, হাতত সুন্দৰ গোলাপ ফুল এপাহ দি কলে,—"তোমাৰ যশ-সৌৰভ এই ফুলেৰ সৌৰভেৰ মতো চতুৰ্দ্দিকে বিস্তাৰ হবে।"

ঈশ্বৰে জানে প্ৰকৃত ঋষি-সদৃশ এইজন মহাপুৰুষৰ বাক্য আমাৰ জীৱনত ফলিয়াইছে নে নাই।

অনেক দিনৰ পিছত, সেই সুবৃহৎ পৰিবাৰৰ ভিতৰত হোৱা এই বিয়াৰ উদ্দীপনা সেই পৰিবাৰৰ সুশিক্ষিত সুমাৰ্জ্জিত ডেকাসকলৰ মনত অনেক ৰাটেদি অনেক দিনলৈকে চলিছিল। তেওঁলোকৰ ভিতৰত নৱ নৱ উন্মেষণাৰ কাৰ্য্য সংসাধিত হৈছিল। তাৰে দুটা চাৰিটাৰ মাথোন উল্লেখ কৰিম। উঠি অহা ডেকা কবি পূজনীয় ৰবীন্দ্ৰনাথ ঠাকুৰৰ দ্বাৰায় আগেয়ে ৰচিত "মায়াৰ খেলা" নামৰ নাটকৰ অভিনয় হৈছিল মিচেজ সত্যেন্দ্ৰনাথ ঠাকুৰৰ বিৰ্জ্জিতলাৰ ঘৰত। কবিৱৰে তেওঁৰ গুণাকৰ ককায়েক জ্যোতিৰিন্দ্ৰেৰে সৈতে সেই নাটকৰ অভিনয়ত ভাও লৈছিল। তিৰুতাৰ ভিতৰত সত্যেন্দ্ৰনাথ ঠাকুৰৰ বিদুষী গ্ৰেজুৱেট কন্যা শ্ৰীমতী ইন্দিৰা দেৱী, "ভাৰতী"ৰ সম্পাদিকা, মহৰ্ষি-কন্যা স্বৰ্ণকুমাৰী দেৱীৰ গ্ৰেজুৱেট জীয়েক শ্ৰীমতী সৰলা ঘোষাল, আৰু ঠাকুৰ পৰিবাৰৰ সঙ্গীতজ্ঞ আন আন মহিলাসকল আছিল। মোৰ নৱ-পৰিণীতা ভাৰ্য্যা প্ৰজ্ঞাসুন্দৰীও তেওঁৰ ভনীয়েকসকলেৰে সৈতে অভিনয়ৰ ভিতৰত আছিল। প্ৰজ্ঞা তেতিয়া বিবাহিতা দেখি মোৰ অনুমতি গ্ৰহণ কৰা হৈছিল। কোৱা বাহুল্য যে মই আনন্দেৰে অনুমতি দিছিলোঁ। বাছকবনীয়া অভিজাত শ্ৰেণীৰ দৰ্শকেৰে ভাওনা ঘৰ ভৰি পৰিছিল। অভিনয় দেখি আৰু তাৰ পিছত আহাৰাদি কৰি সকলোৱে পৰম প্ৰীতি লভি ঘৰাঘৰি গৈছিল।

সুধীন্দ্ৰনাথ ঠাকুৰ, বলেন্দ্ৰনাথ ঠাকুৰ প্ৰভৃতি ডেকাসকলে "সুহৃদ সমিতি" নাম দি এখন সমিতি জোড়াসাঁকোৰ ঘৰতে পাতিলে; আমি আটাইবোৰ সেই সমিতিৰ সভ্য হলোঁহক। বাহিৰৰ দুই-চাৰিজন ডেকা শিক্ষিত বন্ধুকো তাত স্থান দিয়া হৈছিল। সপ্তাহৰ ভিতৰত এদিনকৈ তাৰ অধিবেশন হৈছিল। সভাৰ উদ্দেশ্য—সভ্যসকলৰ ভিতৰত মিলা-প্ৰীতিৰ ভাব বঢ়োৱা। উপায়—সাহিত্য চৰ্চ্চা আৰু অন্তত মধুৰ প্ৰীতি-ভোজন। সমিতিৰ কেইবাখনো অধিৱেশন হৈছিল। তাত সভ্যসকলৰ দ্বাৰায় ৰচিত ইংৰাজী আৰু বঙলা ভাষাত ৰচনা পঠিত হৈছিল আৰু তাৰ সমালোচনা চলিছিল। তাৰপৰাই "সাধনা" নামৰ বঙলা মাহেকীয়া কাকতৰ জন্ম হয়। তাৰ সম্পাদকৰ পদত সুধীন্দ্ৰনাথ ঠাকুৰক বহুৱা হৈছিল। কিছুদিনৰ পিছত সুধীন্দ্ৰনাথৰ ঠাই কবীন্দ্ৰ ৰবীন্দ্ৰনাথ ঠাকুৰে ললে। "সাধনা"ই বঙলা মাহেকীয়া কাকতবোৰৰ ভিতৰত শ্ৰেষ্ঠ আসন অধিকাৰ কৰিছিল। কিছুকালৰ পিছত "সাধনা" অন্তৰ্দ্ধান হল। সমসাময়িক নহলেও প্ৰায় আগা-পিছাকৈ সেই পৰিবাৰৰ পৰা আৰু এখন মাহেকীয়া বঙলা কাকতৰ জন্ম হৈছিল। তাৰ গুৰি ধৰোঁতা আছিল—মোৰ নিজা জেঠৈৰি—দ্বিজেন্দ্ৰনাথ ঠাকুৰ, ক্ষিতীন্দ্ৰনাথ ঠাকুৰ আৰু ঋতেন্দ্ৰনাথ ঠাকুৰ। সম্পাদিকাৰ আসনত মোৰ সহধৰ্ম্মিণী শ্ৰীমতী প্ৰজ্ঞাসুন্দৰী দেৱী। এবছৰমানৰ পিছত সেইখন কাকতো শূন্যত বিলয়প্ৰাপ্ত হল।

শহুৰৰ ঘৰৰ এই সাহিত্যিক মহিলা আৰু পুৰুষসকলে, অসমীয়া ভাষা আৰু বঙলা ভাষাৰ পাৰ্থক্য আৰু বঙলা ভাষাৰ শ্ৰেষ্ঠত্বৰ বিষয় লৈ লাহে লাহে মোৰে সৈতে আলোচনাত প্ৰবৃত্ত হবলৈ ধৰিলে। তেওঁলোকেই আগবাঢ়ি আহি মোক তৰ্ক-যুদ্ধত সুমাই ললে। অগত্যা মই সোমাব লগীয়াত পৰিলোঁ; যদিও তেনে unplcasant অৰ্থাৎ অপ্ৰীতিকৰ কাৰ্য্যত সোমাবৰ মন মোৰ সমূলি নাছিল। তেওঁলোকে ভাবিছিল, পূৰ্ব্ববঙ্গৰ ভাষাও যেনেকৈ নদীয়া-শান্তিপুৰ কলিকতীয়া ভাষাৰ এটা বেবেৰিবাং অৱস্থা বা দুৰৱস্থা, অসমীয়া ভাষাও তেনে। তেওঁলোকৰ ইচ্ছা, মই অসমীয়া ভাষাৰ হকে চেষ্টা-চৰিত্ৰ পৰিত্যাগ কৰি বঙ্গ-ভাষাৰ উন্নতি কামনাত লাগি যাওঁ। তাৰ গুৰিত এনে এটা ভাবো আছিল যে তেওঁলোকৰ পৰিবাৰ-ভুক্ত জোঁৱাই মই যেন সম্পূৰ্ণৰূপে বঙালী হৈ যাওঁ। কিন্তু লাহে লাহে তেওঁলোকে দেখিবলৈ পালে যে, ইংৰাজীত কবৰ নিচিনা "They have caught a Tartar in me" মই অজীৰ্ণ পাতকী হৈ দেখা দিলোঁ। তেওঁলোকৰ সুখৰ সপোনত ব্যাঘাত ঘটিল; মই তেওঁলোকক নিৰাশ কৰিলোঁ। মোৰ সাজ-পাৰো তেওঁলোকে তেওঁলোকৰ পৰিবাৰত প্ৰচলিত সাজ-পাৰৰ নিচিনা কৰিবলৈ চেষ্টা কৰিছিল; তাতো মই তেওঁলোকক নিৰাশ কৰিলোঁ। অসমীয়া ভাষাৰ হকে মোৰ হাতত ডাঙৰ বামটাঙোনডাল দেখি তেওঁলোকৰ মন ভাগি গল। দিনে দিনে ভাষাৰ তৰ্কৰ পথাৰখন বহল হৈ যাবলৈ ধৰিলে, আৰু ডেকাদলৰ অধিপতি "ৰবিককাইও" গতি বিষম দেখি মৌনাৱলম্বন কৰিলে। এই খণ্ড-যুদ্ধৰ প্ৰণালীৰ সেইখিনিতে অৱসান। তেতিয়াৰেপৰা আজি এই বুঢ়া বয়সলৈকে ডাঙৰ ঠাকুৰে তেওঁৰ পোহ নোলোৱা আৰু সেও নোলোৱা জোঁৱায়েকৰে সৈতে সেই বিষয়ে তৰ্ক কৰা এৰি দিলে, আৰু মোৰ আগত কোনো বক্তব্যও প্ৰকাশ কৰা নাই। মাথোন এবাৰ ছিলঙত এষাৰ কথা তেওঁ মোক কৈছিল অলপ বেজাৰেৰে

মিহলিকৈ,—"তোমৰাইতো আসামকে বাৰ কৰে নিয়ে বাংলা ভাষাৰ পৰিসৰ কমিয়ে দিলে। বই লিখে ছাপা কৰতে গ্ৰন্থকাৰদেৰ আৰ উৎসাহ থাকে কোথায় ?" তেওঁ মোৰ গুৰুজন। কোনো তৰ্ক নকৰি মনে মনে থাকিলোঁ। কাৰণ তেনে অপকৰ্ম্ম (?) যদি হৈছে, অকল মোৰেপৰাই হোৱা নাই ; মোৰ লগত বিস্তৰ বাহুবলী বগুৰা আছে ; মই তাৰ ভিতৰত বগুৰা যদিও, এটা ক্ষুদ্ৰাতিক্ষুদ্ৰ বগুৰা মাথোন।

মোক ঘোল অনা বঙালী কৰিবলৈ মোৰ সাহিত্যিক জেঠেৰিসকলৰ আৰু খুলশালীসকলৰ ইমান আগ্ৰহ হৈছিল যে, কবলৈ গলেও মোৰ হাঁহি উঠে। সেই কথাটো পিচলৈ থৈ তাৰ আগতে, মই কবলৈ পাহৰি অহা এটা কথা কওঁ। মোৰে সৈতে মোৰ সাহিত্যিক জেঠেৰিসকলৰ তৰ্ক বাঢ়ি গৈ যেতিয়া "ৰবিকাকা"ৰ কাষ পালেগৈ, এদিন শহুৰ জোঁৱাইৰ ভিতৰত লাগিল সম্-সুৰা তৰ্ক-যুদ্ধ এখন। তৰ্কৰ পিছতো দুদিন-চাৰিদিনলৈকে তাৰ কপটি চলিছিল। তাৰ পিছত মুখৰ তৰ্ক স্থগিত হল, আৰু "ভাৰতী" কাকতত "ৰবিকাকা"ই অসমীয়া ভাষাৰ ওপৰত মন্তব্য প্ৰকাশ কৰি এটা প্ৰবন্ধ-লেখিলে। মই লেখিলোঁ তাৰ প্ৰতিবাদ এটা আৰু দিলোঁ পঠিযাই "ভাৰতী"ত ছপাবলৈ। প্ৰতিবাদ প্ৰবন্ধটো খৰা-মুৰা হৈ "ভাৰতী"ত ছপা হল। সিফালে "পুণ্য"তো মোৰ প্ৰতিবাদ প্ৰবন্ধ ওলাল। সেইখিনিতে দুই ফালৰ তক-যুদ্ধৰ ওৰ। মোৰ ঘৈণীৰ ফালৰ কুটুমসকলে দেখিলে যে এইটো জাতি কৰিব নোৱাৰা জেব্ৰাৰ (zebra) জাতীয় জোঁৱাই। তেওঁলোক নিশ্চেষ্ট হল।

ওপৰত উল্লেখ কৰা হাঁহি উঠা কথাটোলৈ এতিয়া আহোঁ।—"পুণ্য" কাকতত ওলোৱা মোৰ প্ৰবন্ধৰ তলত মোৰ নামটোৰে সৈতে দিয়া "বেজবৰুৱা" উপাধিটো সলাই তেওঁলোকে "বিদ্যাবধ্য" কৰি ছপালে। মই নাখৈ হাহিলোঁ। গল কথা গুচিল। মুঠতে কাৰো লগত জীণ যাব নোৱাৰা এই দুৰ্ভগীয়া অজীণ পাতকীয়ে ঘৰত আৰু পৰত সকলোকে নিৰাশ কৰিলে।

বিয়াৰ দুমাহমানৰ পিছতে মই অকলে আমাৰ শিৱসাগৰৰ ঘৰলৈ গলোঁ। পিতৃদেৱতাই আৰু মাতৃদেৱীয়ে মোক পাই নথৈ সন্তোষ পালে। তেওঁলোকৰ মানত হেৰোৱা ৰতন মোক পাই তেওঁলোকৰ বুকুত সামৰি ললে যদিও মোৰ কাৰ্য্যত তেওঁলোকে মৰ্ম্মান্তিক বেজাৰ পাইছিল। পিতৃদেৱতা যদিও orthodox অৰ্থাৎ প্ৰাচীন মতাৱলম্বী নৈষ্টিক তৰপৰ অগ্ৰণী আছিল, তথাপি তেওঁৰ গাত এটা মহৎ গুণ আছিল। তেওঁ সকলো কথা দকৈ ভাবি-চিন্তি চাই মনতে তাৰ সমালোচনা কৰি উদাৰ ভাব অৱলম্বন কৰিব পাৰিছিল। সেই দেখি তেওঁক দেখা কৰিবলৈ অহাঁতা ভদ্ৰলোকসকলৰ আগত মোৰ বিয়াৰ কথা সম্পৰ্কে ওলোৱা কথাত উদাৰ মত প্ৰকাশ কৰা মই নিজ কাণেৰেই শুনিবলৈ পাইছিলোঁ। মাতৃদেৱী বৰ হোজা আছিল। তেওঁ মোক পুনৰায় পাই তেওঁৰ হেৰোৱা বস্তু আকৌ তেওঁৰ হাতলৈ উভতি অহা যেন লাগিছিল। মোৰ বিয়াৰ বাতৰি শুনি তেওঁ শিৱসাগৰৰ কালীপ্ৰসাদ চলিহা প্ৰভৃতি ডাঙৰ লোকসকলক মতাই আনি হেনো পৰামৰ্শ সুধিছিল—কলিকতাৰ ঠাকুৰসকলৰ ওপৰত কেনেকৈ ডাঙৰ মোকৰ্দ্দমা এটা কৰি ক্ষতিপূৰণৰ সৈতে তেওঁৰ লৰাটোক "দখল" লব পাৰিব! এবাৰ নহয়, কেইবাবাৰো তেওঁ সেইদৰে সঁচাকৈ ভাবি হেনো পৰামৰ্শ বিচাৰিছিল। তেওঁ ভাবিছিল ঠাকুৰহঁতে প্ৰৱঞ্চনা কৰি তেওঁৰ হোজা লৰাটোক ভুলাই তেওঁৰ বুকুৰপৰা কাঢ়ি নি ঘৰ-জোঁৱাই কৰি ললে। যেনেতেনে এনে অন্যায়-অধৰমৰ প্ৰতিকাৰ হবই লাগিব।

মোক ঘৰ-জোঁৱাই কৰাৰ সম্পৰ্কে এটা ইতিহাস অৱশ্যে আছিল। মাতৃদেৱীৰ মনত সেই কথাটো আমাৰ জনচেৰেক বন্ধুৱে অতি প্ৰবন্ধ কৰি সুমাই দি, তেওঁক দুখ দি আত্মসুখ অনুভৱ কৰিছিল। ঘটনাটো মই শিৱসাগৰ পাযেই তেওঁৰ মুখৰপৰাই তলত দিয়াদৰে শুনিলোঁ। মানুহ কেইজনৰ নাম মই নাকাঢোঁ ; কাৰণ সেই কেইজন আজি ইহজগতত নাই।—"যিদিনাই তই তাঁৰেৰে দিয়া বাতৰি শিৱসাগৰ পালেহি সেইদিনাই সি চাৰিওফালে বিয়পি পৰিল। দেউতাৰ আৰু মই শোকত বিযাকুল হলোঁ। চহৰৰ মানুহৰ মুখে মুখে বৌঢ়ি ফুটি গল। বঙালী-পট্টিতো তুমুল আন্দোলন চলিল। কলিকতাৰ ঠাকুৰসকল বঙালীৰ শিৰৰ মুকুট ; এনে হেন ঠাকুৰৰ ঘৰত অসমীয়া এটাৰ বিয়া।' নানা কথা-বাৰ্ত্তা চলিবলৈ ধৰিলে। আমাৰ কালীপ্ৰসাদ চলিহা বোপাই শিৱসাগৰৰ চিভিল চাৰ্জ্জন কলিকতীয়া বঙালী হেমচন্দ্ৰ বন্দোপাধ্যায়ৰ ওচৰলৈ গল, কথাটোৰ ভু লবলৈ। বানুজীয়ে চলিহাক কলে—'কলিকতাৰ জোড়াসাঁকোত কেইবাঘৰো ঠাকুৰ আছে ; তাৰে কোনোবা ছালছিগা ভিকছ এঘৰত খুব সম্ভৱ এইখন বিয়া। কালী বোপাৰপৰা কথাটো শুনি মোৰ আমঠু ক'লা পৰি গল।' ডাক্তৰ চাহাবে আৰু কৈছিল হেনো, 'দেবেন্দ্ৰনাথ ঠাকুৰৰ ঘৰত যদি বিয়া হৈছে, তেন্তে তাত হেনো তই ঘৰ-জোঁৱাই সোমাইছ ; নহলে বিয়া হোৱা অসম্ভৱ।'

ইয়াৰ কিছুদিনৰ পিছত হেনো শিৱসাগৰৰ

জনদিয়েক অসমীয়া ছাত্ৰ কলিকতাৰপৰা উভতি গলত, মাতৃদেৱীয়ে তাৰে এজনক মতাই নি মোৰ কথা সুধিছিল। সেইজন আমাৰ পৰিয়ালেৰে সৈতে বিয়া-বান্ধৱ সম্বন্ধ থকা ডেকা। তেওঁ হেনো মাতৃদেৱীক কৈছিল, 'লক্ষ্মীনাথ ঠাকুৰৰ ঘৰত ঘৰ-জোঁৱাই চাপি থকাটো সঁচা, যদিও সি সেইটো লুকাবলৈ মাজে মাজে অসমীয়া লৰাৰ মেছত থাকেগৈ সি শহুৰেকৰ ঘৰলৈ গলে দুৱৰীৰ হাতত নিজৰ নাম লেখি টিকিট অৰ্থাৎ কাৰ্ড পঠিয়াই নিদিলে ভিতৰ সোমাব নোৱাৰে। ভিতৰৰপৰা হুকুম নহালৈকে বাহিৰত বৈ থাকিব লাগে।'

এই সম্বাদদাতা বন্ধুজন আজি ইহসংসাৰত নাই। তেওঁ নিশ্চয় ক্ষমাৰ পাত্ৰ।

অনেক দিনৰ পিছত মোৰ বঙ্গালী বন্ধু এজনেৰে সৈতে কলিকতাৰ শ্যাম-বজাৰৰ ফালে পুৱা ৯ মান বজাত খোজ কাঢ়ি ফুৰিবলৈ গৈছিলোঁ। বন্ধুজনে দূৰৰপৰা মোক আঙুলিয়াই দেখুৱালে—"সৌটো ডাক্তৰ হেমচন্দ্ৰ বানুৰ্জ্জীৰ ঘৰ। তেওঁ আপোনাৰ শিৱসাগৰতে চিভিল চাৰ্জ্জন হৈ আছিল, এতিয়া অৱসৰ লৈ আছিছে।" মোৰ কৌটুহল হল। আগবাঢ়ি তেওঁৰ ঘৰৰ কাষেদি যাবলৈ ধৰিলোঁ। মোৰ চকুত পৰিল,—পেটুৱা বঙ্গালী এজনে উদং গাৰে একোছা লগুণ ডিঙিত ওলমাই, ঘৰৰ পিৰালিতে বহি লগুৱা এটাৰ হতুৱাই গাত তেল ঘহাঁইছে। বন্ধুজনে কলে, 'সেইজনেই হেম বাবু।' এৱেঁই নে সেই শিৱসাগৰৰ ফিটফাট বানুৰ্জ্জী চাহাব। তাত তেওঁৰ চাহাবীয়ে য়ুৰোপীয় চাহাবকো হৰুৱাইছিল।

মোৰ বিয়াৰ ছমাহমানৰ পিছত এদিন কলিকতাত মোৰ গুৰুদেৱ চন্দ্ৰমোহন গোস্বামী হেডমাষ্টৰেৰে সৈতে দেখা হৈছিল। তেওঁ মোক মৰমকৈ কৈছিল,—"তুমি ঠাকুৰবাড়ীতে বিয়ে কৰেছ, আমি খুব খুসী হয়েছি। কিন্তু নিজেৰ বংশেৰ সন্মান ঠিক ৰেখে চলো। তুমি তাদেৰ বলে দিও,—তোমৰা যেমন বেঙ্গলে বড়লোক, আমৰাও আসামে তেমন। কোন বিষয়েই হীনতা স্বীকাৰ কৰোনা।"

গুৰুদেৱক কৃতজ্ঞতা জনাই প্ৰণাম কৰিলোঁ। ওখ-শাৰীৰ বঙ্গালীৰ অন্তঃকৰণ কেনে মহৎ।

শিৱসাগৰৰপৰা যোৰহাটলৈ গলোঁ। তাত তেতিয়া মুৰ (Moor) চাহাব চবডিভিজনেল অফিচাৰ। এই মুৰ মোৰ পিতৃদেৱতাই হাতেৰে গঢ়া মানুহ। তেজপুৰত পিতৃদেৱতা একষ্ট্ৰা এচিষ্টেণ্ট কমিছনাৰ হৈ থাকোঁতে মুৰে তেওঁৰ তলত কেৰাণীৰ কাম কৰিছিল। বগা-ছালৰ উন্নতি শীঘ্ৰ হয়। মই শিৱসাগৰলৈ উভতি অহা বাৰ্তাৰি শুনি মুৰে যোৰহাটত মোৰ ককাইদেউক অসমীয়াতে কৈছিল, "সেই চপনীয়াটো হেনো শিৱসাগৰলৈ উভতি আহিছে। ইয়ালৈ আহে যদি মোৰ ওচৰলৈ তাক পঠিয়াই দিবা। সুখৰ বিষয়, মই যোৰহাটলৈ গলোঁ, কিন্তু মুৰৰ ওচৰলৈ নগলোঁ।

তৃতীয় আধ্যা

[এই আধ্যাৰ ভিতৰুৱা কথালৈ যাবৰ আগতে আগৰ আধ্যাৰ ভিতৰত খোৱতে কোৱা কথা এটাৰ মুকলি ব্যাখ্যা স্নেহাস্পদ শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱাৰ (জে. বৰুৱা বেৰিষ্টাৰ) পৰা পাইছোঁ। তেওঁ লিখিছে—

"আপোনাৰ বিয়াৰ সময়ত মোৰ পিতৃদেৱতা আৰু মাতৃদেৱী মোৰ ককাইদেউ কৰুণাভিৰাম বৰুৱাৰ সৈতে উত্তৰ-পশ্চিম ভাৰতত ফুৰিবলৈ গৈছিল। মোৰ বাইদেও স্বৰ্ণলতাক জীয়েকহঁতেৰে সৈতে কলিকতাৰ ডাক্তৰ মোহিনীমোহন বসুৰ ঘৰত, আৰু মোক আৰু মাজু ককাইদেও কমলাক, তেতিয়া কলিকতাত থকা মাণিকচন্দ্ৰ বৰুৱাৰ ঘৰত দেউতাই থৈ গৈছিল। কমলাই আৰু মই স্বকীয়াকৈ আপোনাৰ বিয়াৰ নিমন্ত্ৰণ-কাৰ্ড একোখন পাইছিলোঁ, আৰু পাই ৰং পাইছিলোঁ। আপুনি আমাক 'আপুনি' বুলি সম্বোধন কৰা দেখি ৰঙত আমি দুয়ো ওফন্দি উঠিছিলোঁ। শ্ৰীযুত কনকলাল বৰুৱা (ৰায় বাহাদুৰ) আৰু কাপ্টানেৰে (ভুবনচন্দ্ৰ বৰুৱা) সৈতে আমি শানকিভাঙ্গাৰপৰা গৈ আপোনাৰ বিয়াত উপস্থিত হৈছিলোঁহক। আপোনাৰ লেখাত আছে যে, আমাৰ দেউতাক আপুনি বিয়াত নেদেখিলে। সেই কথাটো স্পষ্ট নোহোৱা বাবে কোনোবাই ভাবিব পাৰে যে সেই বিয়া দেউতাৰ অনভিপ্ৰেত আছিল, সেইদেখি তেওঁ বিয়ালৈ নগল। তেনে নহয়। বৰং দেউতা আৰু আয়ে সেই বিয়াৰ সম্বন্ধত বৰ সন্তোষ পাইছিল।"

এই শুধৰণি—প্ৰকৃতপক্ষে ব্যাখ্যা, বৰ সাদৰেৰে মই গ্ৰহণ কৰি মোৰ "জীৱন-সোঁৱৰণৰ"পৰা আগৰ আধ্যাত যথাস্থানত সুমাই ললোঁ।—"সোঁৱৰণ" লেখক।]

কলেজ বন্ধ হলত, ২ নম্বৰ ভবানীচৰণ দত্তৰ গলিত থকা সেই মেছটো ভাগি গল, আৰু মেছনিবাসী ছাত্ৰসকল নিজৰ নিজৰ ঘৰলৈ উভতি গল। মোৰ মনত আছে ডাঙৰীয়া গঙ্গাগোবিন্দ ফুকনে (জি. জি. ফুকন) আমি এৰাৰ দিনাৰেপৰা সেই ঘৰটো ঘৰৰ মালিকেৰে সৈতে নিজে থাকিবলৈ বন্দবস্ত কৰি লৈছে। তেতিয়া মাহ পুৰ হোৱা নাছিল দেখি,

আমাৰ ঘৰৰ কেৰেয়াখিনিও তেওঁৰ হাততে দিলোঁহক, যাতে তেওঁ গোটেইটো মাহৰ কেৰেয়া একেলগে ঘৰৰ মালিকক দিব পাৰে। তাৰ পিছত মই আৰু মাজিৰে (শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা) লগ লাগি শোভাৰাম বসাক লেনত ঘৰ এটা কেৰেয়া কৰি থাকিবলৈ ললোঁ। ঘৰটো দুমহলীয়া। তলৰ মহলাত চাকৰ-নাকৰ, আৰু ওপৰ-মহলাত আমি আছিলোঁহক। ওপৰত তিনটা খোটালি; তলতো তেনেকুৱা। ওপৰৰ খোটালি তিনিটাৰ সমুখত দীঘলীয়া বাৰাণ্ডা। তাৰ সন্মুখত চোতাল, আৰু চোতালৰ পিছতে বান্ধনিঘৰ। আমাক দুইটা খোটালি-য়েই জোৰে দেখি, এঘৰৰ খোটালি এটা এজনক ভেৰোণীয়াকৈ দিলোঁ। সেই মানুহজনৰ নাম মহেন্দ্ৰনাথ গুপ্ত। তেওঁ কলিকতাৰ "মৰ্টন স্কুল"ৰ হেড্‌মাষ্টৰ আছিল। তেওঁৰ ঘৰ ওচৰতে এঠাইত আছিল। খোটালিটো তেওঁ থাকিবলৈ লোৱা নাছিল, আৰু তাত নাথাকিছিলোঁ। দিনে দুইবেলা তেওঁ তেওঁৰ থকা ঘৰৰপৰা আহি খোটালি-টোত সোমাই সমুখৰ দুৱাৰখন মাৰি লৈ, ভিতৰত অকলে বহি, ঈশ্বৰৰ ধ্যান-ধাৰণা উপাসনা কৰিছিল। তেওঁ ৰামকৃষ্ণ পৰমহংসদেৱৰ এজন প্ৰধান শিষ্য আছিল, আৰু "মা-কথিত" নাম দি "ৰামকৃষ্ণ কথামৃত" নামৰ পাঁচ খণ্ড কিতাপ ৰচনা কৰিছিল। মানুহজন বৰ ধৰ্ম্মপ্ৰৱণ আৰু নিৰ্ম্মল চৰিত্ৰৰ আছিল। মোৰে সৈতে তেওঁৰ বন্ধুত্বও দৃঢ় হৈছিল।

কিছু দিনৰ পাচত শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাই কলিকতা এৰি পাটনাত বি. এ. পঢ়িবলৈ গল। তেওঁৰ খোটালিটো তেওঁলোকৰ হৈয়েই আছিল। মাজে মাজে তেওঁৰ দেউতাক ডাঙৰীয়া হৰিবিলাস আগৰৱালা তাত থাকিছিলহি। পিছত শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালাই (ৰায় বাহাদুৰ) তাতে থাকি কলেজত পঢ়িছিল। মাজিৰে ময়ে তাৰেপৰাই পিছডোখৰত "জোনাকী" কাকত চলাইছিলোঁ। মাজিউ পাটনালৈ গলত শ্ৰীযুত আনন্দচন্দ্ৰ আগৰ-ৱালাক মই সহায়ক পালোঁ। ৺লক্ষেশ্বৰ শৰ্ম্মা বি. এ., কিছুদিন আমাৰ লগতে আছিলহি। তেওঁক মই সহায়কভাৱে পাইছিলোঁ।

কেইমাহমানৰ পিছত মহেন্দ্ৰ বাবুৱে তেওঁৰ খোটালিটো এৰি দিলে। তাৰ পিছত ভোলানাথ বৰুৱা ডাঙৰীয়া (বি. বৰুৱা) সেই খোটালি নিবাসী হল। হৰেন্দ্ৰনাথ সেন (এইচ্. এন্. সেন) নামৰ উকীল এজনো মাহচেৰেকৰ নিমিত্তে আমাৰ লগত আছিলহি। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ "ডবল" এম্. এ., আইনত বি. এল্. আৰু পিছত বোধ কৰোঁ বেৰিষ্টাৰ হৈছিল। মানুহজন বিদ্বান; কিন্তু স্বভাৱটো ভাল আছিল। খণ্ডাল নুবুলি খিট্‌খিটীয়া বুলিলেই বোধ কৰোঁ ঠিক হব। বিশ্ববিদ্যালয়ৰ মহলাত উঠিবলৈ দিনে-ৰাতিয়ে পঢ়ি থাকি কিতাপৰ পোক হলে, মানুহ যেনে হয়, তেওঁ তেনেকুৱাই হৈছিল। কথায় কথায় তেওঁৰ মূৰ তপত হৈ উঠিছিল, আৰু চাকৰে তেওঁৰ মূৰত তেল থপিয়াই দি দি সততে তেওঁক বিচি থাকিব লগীয়াত পৰিছিল। তেওঁ উজনী আসামতো কিছু দিন ওকালতি কৰিছিলগৈ। ডাঙৰীয়া ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাই তেওঁক ভাল পাইছিল, আৰু তেখেতৰ "চুপাৰিচতে" তেওঁক মই আমাৰ লগতে ৰাখিছিলোঁ। কিন্তু তেওঁ নিজৰ খিট্‌খিটীয়া স্বভাৱৰ নিমিত্তে সৰহ দিন আমাৰ লগত থাকিব নোৱাৰিলে। যাবৰ সময়ত আমাৰ সৈতে থকা আৰু খোৱাৰ খৰচ লৈ তেওঁৰে সৈতে মোৰ অলপ মনোমালিন্যও হৈছিল। কিছুদিনৰ পিছত শুনিলোঁ তেওঁ একেবাৰেই বিলাতবাসী হবলৈ বিলাতলৈ গুচি গল।

আসামত মাণিকচন্দ্ৰ বৰুৱাৰে সৈতে কৰা তেওঁ-লোকৰ ডাঙৰ ব্যৱসায়টো বন্ধ হলত, ভোলানাথ বৰুৱা কলিকতালৈ গুচি আহিল। মোৰে সৈতে যদিও, আগেয়ে মই কলিকতাত অসমীয়া ছাত্ৰৰ মেছত থাকোঁতে, মাজে সময়ে তেওঁৰ দেখা-শুনা আৰু অলপ-অচৰপ আলাপ-পৰিচয় হৈছিল; কিন্তু এতিয়াহে দুয়ো একেলগে থকাৰ নিমিত্তে, সি দিনে দিনে পৰিপূৰ্ণতা লাভ কৰিলে। ভোলানাথ বৰুৱা মানুহজন কেনে সৰবৰহী আৰু সুচতুৰ পকা ব্যৱসায়ী আছিল, তেওঁক দেখাসকলক সৰহকৈ কৈ দিবৰ আৱশ্যক নাই। মই তেতিয়াও কলেজীয়া জীৱনৰ-পৰা একেবাৰেই হাত ধুই নোলোৱা কেঁচা ডেকা ছাত্ৰ। তেওঁৰে সৈতে কথা-বাৰ্ত্তা পাতি মিলি-জুলি মই একেবাৰেই তেওঁৰ ব্যৱহাৰত মুগ্ধ হৈ গলোঁ। দিনে দিনে তেওঁ মোৰ মনৰ চাৰিওটা চাপ ভালকৈ-অধিকাৰ কৰিবলৈ ধৰিলে। সাংসাৰিক জীৱন-যাত্ৰা নিৰ্ব্বাহত তেওঁ পকা জুনা নাৰিকলটো যেন, আৰু মই কেঁচা ডাব। মোৰ সম্বল—কলেজত সংগ্ৰহ কৰা "পুস্তকস্থা বিদ্যা", আকাশত চাং আৰু অদূৰদৰ্শিতা। তেওঁৰ সম্বল জীৱন-যুদ্ধত যুঁজি-বাগি সংগ্ৰহ কৰা ব্যৱহাৰিক জ্ঞানৰ অভিজ্ঞতা আৰু বহু-দৰ্শিতা। এনে বিপৰীত ধৰ্ম্মাৱলম্বী পদাৰ্থৰ ৰাসায়নিক সন্মিলন ঘটে, অৱশ্যে ভাল ৰাসায়নিক পণ্ডিতৰ হাতত। যি হওক, দুইৰো ভিতৰত বন্ধুতা আৰু সৌহাৰ্দ্দ্যৰ ঘনিষ্ঠতা শীঘ্ৰে সংঘটিত হল। "ম'হতকৈও শিং চৰা" বোলা কথা এষাৰ অসমীয়াত আছে। তেতিয়া মোতকৈও মোৰ চাহাবী চৰা আছিল। সেইদেখি বৰুৱা ডাঙৰীয়াই প্ৰথম দিনাৰেপৰা মোক চাহাব চাহাব বুলি মাতিবলৈ ধৰাত মই বৃথা গৰ্ব্বৰ টিঙত উঠি আত্ম-প্ৰসাদ লাভ কৰিবলৈ ধৰিলোঁ।

"জোনাকী"ত ওলোৱা মোৰ লেখাবোৰ পঢ়ি আগৰে-পৰা মোৰ গচগতি, স্বভাৱ অনেকখিনি তেওঁ জানি থৈছিল। এতিয়া মোৰে সৈতে একেলগে থাকি বাকীখিনি তীক্ষ্ণ বুদ্ধি-সম্পন্ন তেওঁৰ বুজিবলৈ পলম নালাগিল। গুহুতীয়া গল্প, ৰঙিয়াল কথা আৰু খাইকৈ লোকৰ মন আকৰ্ষণ কৰিব পৰা কথা আৰু ব্যৱহাৰেৰে তেওঁ মোক বশ কৰি পেলালে। মোৰ হৈ যোৱা বিয়া বিষয়তো তেওঁৰ উদাৰ মন্তব্য আদিয়ে মোৰ মনৰ প্ৰসন্নতা বৰকৈ বঢ়ালে; কাৰণ, সেই কাৰ্য্যৰ তীব্ৰ মন্তব্যহে অহকাণে পহকাণে মই শুনিবলৈ পাইছিলোঁ।

আমি একেলগে থকাৰ পোন্ধৰ দিনমানৰ পিছতে তেওঁ নৰিয়া পৰিল। সেই নৰিয়া দীঘলীয়াকৈ দুমাহমান আছিল। তেওঁ একপ্ৰকাৰ শয্যাগত। সেই সময়ত মই বি. এল্. পৰীক্ষা দিবলৈ সাজু হৈছিলোঁ। পৰীক্ষালৈ অলপ দিনহে বাকী আছিল। পৰীক্ষাৰ কিতাপ পঢ়া কাৰ্য্য একতীয়াকৈ থৈ মই একাণপতীয়া থৈ তেওঁৰ পতি কৰিবলৈ লাগিলোঁ।— সেইটোৰেই তেনে অৱস্থাত মোৰ কৰ্ত্তব্য বুলি মোৰ ডাঠ বিশ্বাস হৈছিল। তেৰেঁা দিনে-ৰাতিয়ে প্ৰায় সকলো সময়তে মোক তেওঁৰ নৰিয়া-পাটীৰ কাষত বিচাৰিছিল। বিশ্ববিদ্যালয়ৰ পৰীক্ষা "পাছ" কৰা কাৰ্য্যত মইযে বৰ কাঠিয়ক ছাত্ৰ নাছিলোঁ, সেইটো মোৰ সমসাময়িক শালচকুৱা সকলোৱেই দেখিছিল, মই নিজেও জানিছিলোঁ, আৰু সেই জ্ঞান মোৰো কোনোকালে লুপ্ত হোৱা নাই। পৰীক্ষাত কোনো-মতে কাণে কাণ মাৰিয়ে সাৰি যোৱা ছাত্ৰ মই। গতিকে এনে মূৰামূৰি কালতে এনে ব্যাপাৰ মোৰ পক্ষে সাংঘাতিক হৈ উঠিল। ফলত যি হব লগীয়া সেয়ে হল। অৰ্থাৎ মই বি. এল্. পৰীক্ষাত 'স-সন্মানে ফেল মাৰিলোঁ।' বি. এল্. পৰীক্ষাত ঘটা বিৱৰণ আজি নিদি পিছৰ আধ্যালৈ থলোঁ। কিন্তু এম্.এ. পৰীক্ষাৰ কথাটো আজিৰ আধ্যাতে কৈ থওঁ; কাৰণ দুইটা পৰীক্ষা সম্বন্ধত শাল-পতিয়েক বুলিব পাৰি। বি. এলৰ. পিছত এম. এ. দিবলৈকো পৰীক্ষাৰ ঘৰত মই বহিছিলোঁ; আৰু কেয়োদিন কঁকালত কমৰ বান্ধি দিছিলোঁও। কিন্তু "একে গছৰ পাণ, সি কিয় হব আন"—তাতো সসন্মানে ফেল। ইংৰাজী সাহিত্যত এম. এ. দিছিলোঁ। মোৰ অধ্যাপক আছিল, ইংৰাজী সাহিত্যত বিদ্যাৰ-জাহাজ চাৰ্লচ টনি চাহাব। পঢ়িছিলোঁও ভালকৈ। তথাপিও তাত "ফেল"ৰ মাৰ খালোঁ কিয়? কওঁ শুনা। তাত "এংলো-ছেক্সন" অসভ্য (অৱশ্যে "সভ্য" মোৰ পক্ষেহে) পদাৰ্থ (subject) এটা আছিল। তাৰে সৈতে মোৰ একোতে বাহি নাহিছিল। সেই দেখি মই তাক অগ্ৰাহ্য কৰি একপ্ৰকাৰ এৰি দিছিলোঁ। ফলত সিয়েই মাৰিলে, মোৰ মূৰত মাৰ-খাত টাঙোন। মই টাঙোন খাই, টনি চাহাবৰ কাষত মোৰ দুখ নিবেদন কৰিছিলোঁ। তেওঁ মোৰ দুখত দুখ প্ৰকাশ কৰিলে; আৰু তাতে তাৰ ওৰ পৰিল। যি বস্তুটোক মানুহে তুচ্ছ বুলি অগ্ৰাহ্য কৰে, সিয়েই বৰ হৈ তাক এসেকা দিয়ে। কংসই কৃষ্ণক গৰখীয়া ল'ৰা বুলি তুচ্ছ-তাচ্ছিল্য কৰি অগ্ৰাহ্য কৰি কৃষ্ণৰ হাততে প্ৰাণ এৰিলে। ৰাৱণে নৰ আৰু বান্দৰক অগ্ৰাহ্য কৰি, নৰ আৰু বান্দৰৰ হাততে সোণৰ লঙ্কাপুৰী, নিজৰ কুৰিটা চকুৰে আৰু কুৰিটা হাতেৰে সৈতে দহোটা মূৰ হেৰুৱালে। এয়েই "মৰেল" অৰ্থাৎ পণ্ডিতাৰ্থ।

চতুৰ্থ আধ্যা

[এই আধ্যা আৰম্ভ কৰাৰ আগতে, আৰু এটা শুধৰণী ব্যাপাৰ সমুপস্থিত। এইবাৰ আমাৰ গৃহিণীৰ ফালৰপৰা। তেওঁ ইমান দিনে মোৰ জীৱন-সোঁৱৰণৰ দ্বিতীয় আধ্যা পঢ়িছিলনে নাই মোৰ জনা নাছিল। আজি বহি মই লিখিবলৈ কাপ ধৰিছোঁ মাথোন, এনেতে তেওঁ মোৰ পিঠিৰফালে থিয় দি, "মেঘৰ গম্ভীৰ ধ্বনি দিলে সন্নিধান",—"তোমাক কোনে কলে আমাৰ 'পুণ্য' কাকতখন মাথোন এবছৰ চলিছিল বুলি? 'পুণ্য' তিনি বছৰ ভালকৈ চলাৰ পিছতহে বন্ধ হৈছিল।" কাথাষাৰ শুনি প্ৰথমতে মই উচাপ খাই উঠিছিলোঁ। তাৰ পিছত ভালকৈ ভাবি দেখিলোঁ হয়, তেওঁৰ কথাই ঠিক। মই মোৰ ভুল স্বীকাৰ কৰি সেইটো শুধৰাই দিবলৈ তেওঁক প্ৰতিশ্ৰুতি দিলোঁ। তাৰ পিছত, তেওঁৰপৰা প্ৰশ্ন আহিল, "তোমাৰ জীৱন-সোঁৱৰণত আমাৰ ভিতৰৰ ঘৰুৱা কথাবোৰ লেখিছা কিয়? যেনে—সপ্তপদী গমনৰ পিছত?"

মই সুধিলোঁ, "সেই হাস্যৰসফেৰিৰ কথা কৈছাঁনে? তুমি মোৰ তেনে দায় মাজে সময়ে মৰিষণ কৰিব লাগিব। লেখিবৰ সময়ত মই ঘৰুৱা আৰু পৰুৱা কথা বাছি সুকীয়াকৈ উলিয়াব নোৱাৰোঁ, এয়ে মোৰ দোষ। সেই দেখি এনে বিভ্ৰাট ঘটিছে; আৰু আগলৈকো যে নঘটিব, সেইটো গা দাঙি মই কবও নোৱাৰোঁ। সেইবাবে বতৰৰ কথাষাৰ বতৰতে কৈ থলোঁ। তোমালোকে মোৰ ভুল শুধৰাই দিলেই, ভালহীও বব, চাউলো সিজিব আৰু গৃহস্থৰ অধৰমো নহব; এই কথা।]

মই বি. এল্. পৰীক্ষাত "সসন্মানে ফেল" হোৱা কাৰণটো কওঁ।—আমি পৰীক্ষা দিয়াৰ পিছত

"চিণ্ডিকেটে মিটিং" কৰি বি. এল্. পৰীক্ষাৰ "পাছ মাৰ্ক"ৰ খোপটো আৰু ওখ কৰি দিলে। আমি পৰীক্ষাত পোৱা নম্বৰে সেই খোপটো ঢুকি নোপোৱা হল। অৱশ্যে পুৰণি নিয়মমতে আমি যি মাৰ্ক পাইছিলোঁ সি আগৰ খোপটোত উঠিছিলগৈ, আৰু সেই দেখি পৰীক্ষাত উঠিছিলোঁও। মোক লৈ প্ৰায় ৩০ জন ছাত্ৰ সেইদেখি ন নিয়মমতে "ফেলৰ" গাতত পৰিছিল। এই ৩০ জনৰ ভিতৰত কেইবাজনো ভাল ছাত্ৰ আছিল আৰু তেওঁলোক কলিকতাৰ অতি সম্ভ্ৰান্ত ধনী মানুহৰ ঘৰৰ সন্তান। কলিকতা বিশ্ববিদ্যালয়ৰ চিণ্ডিকেটৰ এনে মইমতালি দেখি আমি জকি উঠিলোঁহঁক। দিনো ভবানীপুৰত সেই ছাত্ৰ কেইজনৰ দেউতাকসকলৰ ঘৰত বৰ-চবাত আমাৰ মেল বহিবলৈ ধৰিলে। "ছিনেট"ৰ সভ্য স্যাৰ ৰমেশচন্দ্ৰ মিত্ৰ, ডব্লিউ. চি. বনাৰ্জ্জী, মনোমোহন ঘোষ বেৰিষ্টৰ প্ৰভৃতিয়ে আমাৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰি আমাক সহায় কৰিছিল। আমাৰ বিপক্ষে চিণ্ডিকেটৰ মেম্বৰ স্যাৰ ৰাসবিহাৰী ঘোষ, কালীচৰণ বানুৰ্জ্জী, আশুতোষ মুখুৰ্জ্জী (পিচত স্যাৰ) প্ৰভৃতি। আমি কলিকতা হাই কোৰ্টত কলিকতা য়ুনিভাৰ্চিটিৰ ওপৰত মোকৰ্দ্দমা কৰিবলৈ থিৰ কৰিলোঁ, যাতে য়ুনিভাৰ্চিটিয়ে আমাক "পাচ কৰা" ছাত্ৰৰ তালিকাৰ ভিতৰত সুমাই লবলৈ বাধ্য হয়। কঁকালত টঙালি বান্ধি আমি দুগুণ উৎসাহেৰে এই যুদ্ধত লাগি গলোঁহঁক। স্যাৰ ৰমেশচন্দ্ৰ মিত্ৰৰ পুতেক বিনোদচন্দ্ৰ মিত্ৰ (পিছত স্যাৰ আৰু এড্-ভোকেট্ জেনেৰেল) আমাৰ কৰ্ণধাৰ হল। বিনোদ মিত্ৰ যদিও আমি ফেল মৰা দলৰ ভিতৰৰ নহয়, কাৰণ তেওঁ আগৰ বছৰতে বি. এল্. পৰীক্ষাত উঠি তেতিয়া হাই কোৰ্টত ওকালতি কৰিছিল, তথাপি তেওঁ আৰু তেওঁৰ ভায়েক প্ৰভাস মিত্ৰ (পিছত স্যাৰ) আমাৰ সহায়ক হৈ উঠিল। ভবানীপুৰতে এজনৰ ঘৰত এটা ডাঙৰ ভোজৰ আয়োজন হল। তালৈ আমাৰ ফলীয়া অনেক ডাঙৰ ডাঙৰ লোকক নিমন্ত্ৰণ কৰা হৈছিল--ভোজ বৰ সমাৰোহেৰে সম্পাদিত হল, আৰু আমি ভোজ-ভাত খাই গাত বল বান্ধি ললোঁহঁক।

আৰ্জ্জিপত্ৰ (plaint) প্ৰস্তুত হল। আমাৰ ফালৰপৰা বেৰিষ্টৰ এল্. পি. পিউ, এ. চৌধুৰী, এছ্. পি. সিংহক নিযুক্ত কৰিবলৈ থিৰ হল। শেষান্তৰত এটা বিষম সমস্যা উপস্থিত। আৰ্জ্জিপত্ৰত চহী কৰিবলৈ আমাৰ ভিতৰৰপৰা এঘাৰজন ছাত্ৰক ঠিক কৰা হল। কিন্তু চহী কৰিবৰ সময়ত অ' হৰি! কোনেও চহী কৰিব নোখোজে। এজন এজনকৈ আটাইকেউজনে পুনুকা মাৰিলে। কোনোৱে কয় "বাবা মানা কৰেছেন," কোনোৱে কয় "বাবা বলেছেন, নৰেন শৰ্ম্মাৰ ' তুমি সহি কৰবে না" ইত্যাদি। ইমান দুখকৈ তৰি অনা তাঁতখন সেই-খিনিতে সামৰিব লগীয়া হল। মই আগ বাঢ়ি ওলাই কলোঁ, "আনে চহী দিয়ক বা নিদিয়ক, মই দিম।" চাৰিওফালৰপৰা মোৰ ওপৰত সাধুবাদৰ বৰষুণ পৰিবলৈ ধৰিলে। মোৰ অকলশৰীয়া চহীৰ ওপৰতে মোকৰ্দ্দমাটো থিয় হৈ পৰিল। মোৰ চহীৰে সেই "প্লেইণ্ট"খন দেখি বেৰিষ্টৰ এ. চৌধুৰীয়ে কৈছিল, "দেখছি, একলা আমাদেৰ লক্ষ্মীনাথেৰই সহি।" তেওঁৰ ওচৰলৈ সেইখন লৈ যোৱা ছাত্ৰসকলে তাৰ উত্তৰত কি কৈছিল মই নাজানো। সেই বিষয়ে চৌধুৰীয়ে পিছত মোক এটা কথাও কোৱা নাছিল। তেওঁৰ দেশৰ বঙ্গালী ভাইসকলৰ তেনে ব্যৱহাৰ দেখি তেওঁ লজ্জিত আৰু দুখিতহে হৈছিল তাত সংশয় নাই। বিনোদ মিত্ৰৰ (স্যাৰ বিনোদে) তেওঁৰ স্বদেশী ভ্ৰাতাসকলৰ এনে ব্যৱহাৰৰ কথা অনেক দিনলৈকে কিন্তু কৈ আছিল। আন কি, কিছুদিনৰ পিছত তেওঁ বিলাতলৈ গৈ বেৰিষ্টৰ হৈ অহাৰ পিছতো, এদিন তেওঁ মোক ইণ্ডিয়া ক্লাবত দেখা পাই, আগ বাঢ়ি আহি মোৰ কৰমৰ্দ্দন কৰি সেই কথা কৈ দুখ কৰিছিল।

আমাৰ মোকৰ্দ্দমাটো হাই কোৰ্টত জষ্টিছ্ ছেলৰ (Sale) আদালতত উঠিছিল। আমাৰ ফালৰ বেৰিষ্টৰ আছিল,—বেৰিষ্টৰ পিউ. চৌধুৰী আৰু সিংহ। সিফালত আছিল ষ্টেণ্ডিং কাউঞ্চিল ফিলিপ্স প্ৰভৃতি। ছিণ্ডিকেটৰ মেম্বৰ হিচাপে আমাৰ প্ৰতিবাদী ডাক্তৰ ৰাসবিহাৰী ঘোষ, কালীচৰণ বানুৰ্জ্জী, আশুতোষ মুখুৰ্জ্জী প্ৰভৃতি। হাই কোৰ্টে কলিকতা য়ুনিভ-ছিটিৰ ওপৰত আমাৰ পক্ষে "ৰিট্-অব্ মেণ্ডেমাছ, Writ of Mandamus) "ইছু" কৰিলে, আমি আনন্দত নাচিবলৈ ধৰিলোঁ। গোটেই কলিকতাত এটা "ছেন্‌ছেছন" (Sensation) অৰ্থাৎ উদ্বেগ লাগি পৰিল। তাৰ পিছত আমাৰ বিপক্ষ ক্ষমতা-শালীসকলৰ ভিতৰত নানা চেষ্টা-চৰিত্ৰ চলিবলৈ ধৰিলে, যাতে য়ুনিভৰ্ছিটিয়ে মোকৰ্দ্দমাত হাৰি প্ৰেষ্টিজ (Prestige) অৰ্থাৎ মান নেহেৰুৱায়, ফলত জজ ছেলে আমাৰ বিপক্ষে ৰায় দিলে আৰু আমি হাৰিলোঁ। মুঠতে য়ুনিভৰ্ছিটিৰ "প্ৰেষ্টিজ"ৰ আগত আমাক বলি দিয়া হল। মোৰ ওপৰত মোকৰ্দ্দমাৰ খৰচো ডিগিৰি দিলে। যি হওক, আমাৰ এই আন্দোলনৰ ফলত, তিনি মাহৰ মূৰত য়ুনিভৰ্ছিটিয়ে আকৌ এটা পূৰক বা পৰিশিষ্ট বি. এল্. পৰীক্ষা (Supplimentary Examination) পাতিলে। সেই পৰীক্ষাত আনবোৰ ছাত্ৰৰেৰে সৈতে ময়ো পৰীক্ষা দিবলৈ বহিছিলোঁ। কিন্তু প্ৰথম দিনাৰ পৰীক্ষাৰ প্ৰশ্নৰ কাকতৰ উত্তৰ দি আৰু

নগলোঁ। কাৰণ পৰীক্ষাৰ ঘৰত য়ুনিভাৰ্ছিটিৰ কাৰ্য্যকাৰক বোৰে মোৰ ওপৰত এনেকৈ "নজৰ" দিবলৈ ধৰিলে, যেন মই এটা "দাগী চোৰ"হে তাত ওলাইছোঁগৈ। প্ৰশ্নৰ উত্তৰৰ কাকতবোৰ এজন কাৰ্য্যকাৰকৰ হাতত দি উঠিবলৈ গৈছোঁ, এনেতে অফিচৰে মোৰপৰা মোকৰ্দ্দমাত ডিগিৰি হোৱা খৰচৰ টকা দাবী (demand) কৰিলেহি। মোৰ টিকৃচি-বিকৃচি খং উঠি সেইজনক "চলা জাও" বুলি ডাবি দি গুচি আহিলোঁ। ভাবিলো ইহঁতে মোক আৰু পৰীক্ষাত কেতিয়াও "পাছ" নকৰে। তাকে ভাবি, কলিকতা য়ুনিভাৰ্ছিটিৰ চৰণত নমস্কাৰ কৰি মেলানি মাগি আৰু পৰীক্ষা দিবলৈ নগলোঁ। মোৰ লগৰীয়াৰ ভিতৰৰ অনেক ছাত্ৰৰ সেই পৰীক্ষাত উত্তীৰ্ণ হ'ল। সেই পুৰণি ফকৰাটো মনত পৰিল,—

খাই কাৰ্শলা ডালত উঠিল।
কাঠি চেলেকাৰ মৰণ মিলিল ॥

আৰু উকীল নহওঁ বুলি মনতে দৃঢ় সঙ্কল্প কৰিলোঁ। ভাবিলোঁ আমাৰ বংশত উকীলে নুশুজে। সেই দেখিয়েই হবলা পিতৃদেৱতাই একট্ৰা এচিষ্টেণ্ট কমিছনাৰ হৈ থাকোঁতে উকীলৰ বহীত নাম লিখি দি অনেকক উকীল পাতিছিল, কিন্তু নিজৰ পুতেক এজনকো সেই কাৰ্য্যলৈ আগ নবঢ়াইছিল। সেই কালত বি. এল্. বা এল্. এল্. পৰীক্ষা নিদিয়াকৈয়ে হাকিমৰ "চুপাৰিচতে" উকীল হব পৰা নিয়ম আছিল। উকীলৰ ব্যৱসায়টোও তেওঁৰ দ্বাৰায় বৰ সন্মানৰ বুলি বিবেচিত নহৈছিল।

পঞ্চম অধ্যায়

কলিকতাত মোৰ জীৱনত এটি বিশিষ্ট অসমীয়া পৰিবাৰৰ প্ৰভাৱ বৰকৈ পৰিছিল। সেই পৰিবাৰৰ শিৰৰ মুকুট আৰু আসামত সৰ্ব্বজনবিদিত বুৰঞ্জী-বিজ্ঞ পুৰুষ ডাঙৰীয়া ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা আছিল। তেওঁ দীৰ্ঘকাল আসামত, যাইকৈ নগাঁৱত, একষ্ট্ৰা এছিষ্টেণ্ট কমিছনাৰৰ কাম কৰি ১৮৯০ খ্ৰীষ্টাব্দত অৱসৰ লৈ কলিকতাত থাকিবলৈ আহে। কি সদানন্দময় পুৰুষ আছিল সেইজন! অৱসৰৰ দিনাৰেপৰা ঈশ্বৰৰ ইচ্ছাত তেওঁৰ কপালত এটাৰ পিছত এটাকৈ লেখেৰি নিছিগাকৈ যেন পাৰিবাৰিক দুৰ্ঘটনা ঘটিছিল, মনত পৰিলে আমঠু কঁপা পৰি আহে। আমি দেখি,আচৰিত মানিছিলো, তেওঁ এনে মহাবিপদবোৰ প্ৰশান্ত মনেৰে সহি গৈছিল। এদিনলৈকে তেওঁৰ আনন্দময় মুখত আমি বিষাদৰ ছাঁ সাঁটকৈপৰা দেখিবলৈ নাপাইছিলোঁ। গীতাত স্থিতপ্ৰজ্ঞ মানুহৰ যি সংজ্ঞা দিছে অনেকখিনি তেওঁৰ গাতে আমি তেনে লক্ষণ দেখিবলৈ পাইছিলোঁ; যেনে,—

দুঃখেষ্বনুদ্বিগ্নমনাঃ সুখেষু বিগতস্পৃহঃ।
বীতৰাগ-ভয়-ক্ৰোধঃ স্থিতধীৰ্ম্মুনিৰুচ্যতে ॥

বাস্তৱিকতে, মোৰ জীৱনত এনে আনন্দময় অথচ স্থিতধী পুৰুষ মই আগেয়ে দৈৱাৎহে দেখিবলৈ পাইছিলোঁ! ১৮৯০ খ্ৰীষ্টাব্দৰ ৩১ মাৰ্চ্চত তেওঁ চৰ্কাৰী কামৰপৰা অৱসৰ গ্ৰহণ কৰে। সেইদিনাই কলিকতাত তেওঁৰ এক মাথোন জোঁৱায়েক ডাক্তৰ নন্দকুমাৰ ৰায়ৰ মৃত্যু হয়। পছিলা এপ্ৰিলৰ দিনা এই শোকৰ বাতৰি অসমত তেওঁলোকৰ কাণত পৰে। তেওঁৰ অতি মৰমৰ একেজনী জীয়েক স্বৰ্ণলতা অকালতে বিধৱা হল।

ইয়াৰ পিছত বৰুৱা ডাঙৰীয়া সপৰিবাৰে কলিকতালৈ আহি সুখেৰে জীৱনযাপন কৰিবলৈ আশা কৰি ভাল ঘৰ এটা কেৰেয়া কৰি লৈ থাকিবলৈ ধৰিলে; আৰু লৰাকেইটিক স্কুলত পঢ়িবলৈ দিলে। প্ৰথমতে মই ডাঙৰীয়াৰ সহধৰ্ম্মিণীক লৰা-ছোৱালী কেইটিৰে সৈতে কলিকতাৰ মাণিকতলা ষ্ট্ৰীটৰ ঘৰ এটাত দেখোঁ। সেইজনা সাদৰী মিষ্ট-ভাষিণী মহিলাৰ স্মৃতি-পট মোৰ অন্তৰত আজিও মচ নোখোৱাকৈ আছে। আমাৰ বংশৰে সৈতে তেওঁৰ সম্পৰ্ক আছিল; আৰু সম্বন্ধত মই তেওঁৰ মোমায়েক হওঁ দেখি তেওঁ মোক মোমাইদেউ বুলি মিঠা সম্বোধন কৰিছিল। মাণিকতলা ষ্ট্ৰীটৰ ঘৰৰপৰা উঠি আহি তেওঁলোক ২৬ নম্বৰ স্কট্চ্ লেনত থাকেহি। তাতে ১৮৯২ খ্ৰীষ্টাব্দৰ মাৰ্চ্চ মাহৰ ২৬ তাৰিখে শনিবাৰৰ দিনা এই মহীয়সী মহিলাৰ মৃত্যু ঘটে। মৃত্যুৰ অলপ পাছতে মই তাত উপস্থিত হৈ সেই শোকাবহ দৃশ্য দেখিবলৈ পালোঁ। মোৰ চকুৰপৰা সৰসৰ কৰে লো ওলাবলৈ ধৰিলে। দেখিলোঁ মৃত্যুশয্যাত পৰি থকা মাকৰ শৰটোৰ ভৰিৰ ওপৰত মুৰটো দি পৰি স্বৰ্ণলতাই বিনাই কান্দিব লাগিছে; আৰু ল'ৰাকেইটিয়ে ফেকুৰিব লাগিছে। ডাঙৰীয়া গুণাভিৰাম বৰুৱা নিস্পন্দ নিৰ্ব্বাক। পুতেক কমলা আৰু জ্ঞান তেতিয়া সৰু লৰা। স্কুলৰপৰা আহি সিহঁতে দেখিলে যে সিহঁতৰ মাতৃদেৱী আৰু ইহসংসাৰত নাই। ডাঙৰীয়াৰ অন্তৰ যদিও শোকৰ শেলত থকা সৰকা হৈছিল, তথাপি তেওঁ অচল অটল। ধৈৰ্য্য তেওঁৰ। ব্ৰাহ্ম সমাজৰ আচাৰ্য্য পণ্ডিত শিৱনাথ শাস্ত্ৰী প্ৰভৃতি ব্ৰাহ্মসকলে মৃতকৰ শৱ বেঢ়ি বহি আছে। এজনে ব্ৰহ্মসঙ্গীত গাইছে—

ঐ যে দেখা যায় আনন্দধাম
ভবজলধিৰ পাৰে।

ব্ৰাহ্মসকলে পৰামৰ্শ কৰি এখন গৰুৰ গাড়ীৰ ওপৰত শৰটো তুলি নিমতলা ঘাটত পুৰিবলৈ লৈ গল। ডাঙৰীয়াই "নিবাত নিষ্কম্প তৰু"ৰ দৰে চাই আছিল মাথোন, সেই বন্দৱস্তত একো হস্তক্ষেপ নকৰিছিল। মই বেজাৰ মনেৰে স্বস্থানলৈ উভতি আহিলোঁ। ডাঙৰীয়াই গৃহিণীক নৰিয়াত কলিকতাৰ-পৰা ডাঙৰ ডাঙৰ ডাক্তৰ আৰু গঙ্গাপ্ৰসাদ আৰু, দ্বাৰকানাথ কবিৰাজ প্ৰভৃতিৰ দ্বাৰায় চিকিৎসা কৰোৱাই-ছিল; জল-বায়ু পৰিবৰ্ত্তনৰ নিমিত্তে গিৰিধি প্ৰভৃতি ঠাইত ফুৰাই আনিছিল। কিন্তু কালৰ হাতৰপৰা তেওঁক তেওঁ ৰক্ষা কৰিব নোৱাৰিলে। আজিকালি য'ত বঙ্গবাসী কলেজ হৈছে সেই ২৬ নম্বৰ স্কট্ লেনৰ ঘৰতে ডাঙৰীয়ানীয় ইহ-সংসাৰ পৰিত্যাগ কৰি ডাঙৰীয়াক সেই বৃদ্ধ বয়সত অকলশৰীয়া কৰি, আৰু ল'ৰা-ছোৱালীকেইটিক নিঠৰুৱা কৰি গুচি গল। আমি তেতিয়া ৩ নম্বৰ ওল্ড বৈঠকখানাত আছিলোঁ। সেই বিপদৰ কেইদিন সৰু ল'ৰা কমলা আৰু জ্ঞানে গধূলি আমাৰ তাত খাইছিলগৈ।

ইয়াৰ কিছুদিন পিছত আমি ৩ নম্বৰ ওল্ড বৈঠকখানাৰ ঘৰ এৰি দিলত ডাঙৰীয়া গুণাভিৰাম বৰুৱাই সেই ঘৰটো লৈ তাতে থাকেগৈ। মাহচেৰেক তাতে তেওঁলোক সুখেৰে আছিল, আকৌ বিপদে তেওঁলোকৰ লগ ললেগৈ। ডাঙৰীয়াৰ বৰ ল'ৰাটি কৰুণা তাতে জ্বৰত পৰিল। আকৌ ডাঙৰ ডাঙৰ ডাক্তৰ আৰু কবিৰাজৰ সমাৰোহ ঘটিল। ডাক্তৰ দেবেন্দ্ৰনাথ ৰায়, জহুৰুদ্দিন, মেক্‌ডনেল্ড ইত্যাদি। মেক্‌ডনেল্ডে কৰুণাক সমুদ্ৰত ফুৰাই আনিবলৈ পৰামৰ্শ দিলত, ডাঙৰীয়াই শ্ৰীযুত আনন্দচন্দ্ৰ আগৰ-ৱালাক (তেতিয়া কলেজৰ ছাত্ৰ, পিছত ৰায় বাহাদুৰ) লগত দি কৰুণাক জাহাজেৰে বৰ্ম্মালৈ পঠিয়াই দিলে। জাহাজত অহা-যোৱা কেৰেয়া আদি ২৫০ টকা দি দুইকো বৰ্ম্মালৈ পঠিয়া হ'ল। যিদিনা কৰুণাক জাহাজত তুলি দি তেওঁ বৰ্ম্মালৈ পঠিয়ালে সেইদিনা ডাঙৰীয়াৰ অপাৰ আনন্দ। আচৰিত কথা, যি কেইদিন কৰুণা জাহাজত আছিল, কৰুণাৰ জ্বৰ হোৱা নাছিল। যাওঁতে চাৰিদিন, আহোঁতে চাৰিদিন। ৰেঙ্গুনত থাকোঁতে কৰুণাৰ গা ভালে আছিল। কিন্তু উভতি কলিকতা পালতে আকৌ সেই আপদীয়া জ্বৰে কৰুণাক ধৰিলে। তাৰ পিছত কৰুণাক লগত লৈ ডাঙৰীয়া পুৰুলিয়ালৈ গল। সেইকালত পুৰুলিয়া বেঙ্গল-নাগপুৰ ৰেল কোম্পানীৰ এটা উঠি অহা ষ্টেচন আৰু স্বাস্থ্যকৰ ঠাই। তাতো একো উপকাৰ নোহোৱা দেখি, তেওঁ কৰুণাক মধুপুৰলৈ লৈ গল। ৩ নম্বৰ ওল্ড বৈঠকখানাৰ ঘৰতে তেওঁৰ বাকী ল'ৰা দুটি আৰু জীয়েক আছিল। পিছত কমলা আৰু জ্ঞানকো মধুপুৰলৈ লৈ যোৱা হল। কিছুদিনৰ পিছত কমলা আৰু জ্ঞান উভতি আহি, আমাৰ লগতে শোভাৰাম বসাক লেনৰ ঘৰত থাকেহি। মধুপুৰতে ১৮৯৩ খ্ৰীষ্টাব্দৰ ১২ জুলাইত কৰুণাৰ মৃত্যু হয়। কৰুণাৰ মৃত্যুৰ পিছত ডাঙৰীয়া আমাৰ লগত শোভাৰাম বসাকৰ লেনত দুদিনমান থাকেহি। শ্ৰীযুত নবীনৰাম ফুকনো তেতিয়া তাতে আছিলহি। কৰুণাক যমৰ বুকুত দি ডাঙৰীয়া যেতিয়া আমাৰ কাষত ওলালহি, তেতিয়া আমি ভাবিছিলোঁ এনে পুত্ৰ-শোক পাই অহা তেখেতৰ মুখলৈ আমি পোনে পোনে চাবই নোৱাৰিম। কিন্তু আমি দেখি অবাক হলোহঁক, তেখেতৰ মুখত বিষাদৰ কালিমাৰ সঁচকে নাই। সেই চিৰস্থায়ী সদানন্দ মুখ আগত বৰ্ত্তমান। তেতিয়াও তেখেতৰ মুখত কথায় কথায় হাঁহি, আৰু খুহুতীয়া কথা অনৰ্গল চলিছে। কি আচৰিত সংযম। আজিও মোৰ মনত আছে, এদিন শ্ৰীযুত নবীন ফুকনৰ মুখখন তেওঁ গোমঠা দেখি ফুকনক গাড়ী এখনত তুলি লগত লৈ গৈ গ্ৰেট ইষ্টাৰ্ণ হোটেলৰপৰা পাচ টকা কি চাৰে পাঁচ টকা ৰেচৰ গোটাচেৰেক কামিজ কিনি দি তেওঁৰ মুখলৈ প্ৰসন্নতা আনিছিল। আৰু আগেয়েও হেনো কেইবাবাৰো ডাঙৰীয়াই তেনে উপায়কে অৱলম্বন কৰিছিল। ডাঙৰীয়াৰ স্বভাৱ যে কাৰো মুখত তেওঁ বেজাৰৰ ভাব দেখিব নোৱাৰিছিল।

১৮৯৪ খ্ৰীষ্টাব্দৰ মাৰ্চ্চ মাহৰ ২৫ তাৰিখে, শনি কি ৰবিবাৰে, ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাৰ, ৮ নম্বৰ কলেজ স্কোৱাৰৰ ঘৰত মৃত্যু হয়। তেওঁ প্ৰায় ২১ দিন জ্বৰত ভুগিছিল। চিকিৎসাৰ কোনো অপ্ৰতুল নহৈছিল। ডাক্তৰ মেক্‌ডনেল্ডেও চিকিৎসা কৰিছিল। কলিকতাবাসী কোনো কোনো অসমীয়া ছাত্ৰে তেওঁৰ নৰিয়াত পৰ দিছিল। ময়ো এৰাতি-দুৰাতি সেই কাৰ্য্য কৰিছিলোঁ। অখণ্ডনীয় বিধিৰ লিখন, তেওঁ আৰু আৰোগ্য নহল। কলিকতাবাসী অসমীয়া ছাত্ৰসকলে তেওঁৰ শৱ কান্ধত লৈ নিমতলা ঘাটত দাহ কৰি আহিলগৈ। অৱশ্যে সমৱেত ব্ৰাহ্মসকলে আগৰ দৰে, অৰ্থাৎ তেওঁৰ গৃহিণীৰ শৰটো গাড়ীত তুলি নিয়াৰ দৰে নিবৰ যে প্ৰস্তাৱ নকৰিছিল এনে নহয়; কিন্তু এইবাৰ তেনে প্ৰস্তাৱ অসমীয়াসকলৰ দ্বাৰায় অগ্ৰাহ্য হল। চৰকাৰী কামৰপৰা অৱসৰ লৈ এইজন পুৰুষ যদি অন্ততঃ আৰু দহবছৰমান জীয়াই থাকিলহেঁতেন, তেওঁৰ দ্বাৰায় অসমৰ অনেক হিতকাৰ্য্য সাধিত হলহেঁতেন,—যাইকে সাহিত্য ক্ষেত্ৰত। "জোনাকী" আৰু "বিজুলী"ত তেওঁ নিয়মমতে প্ৰবন্ধ লিখিছিল। "জোনাকী"ত ওলোৱা "আগৰ দিন এতিয়াৰ দিন" প্ৰবন্ধ যদি আৰু কিছুদিন তেওঁ লেখি যাব পাৰিলে-হেঁতেন, তেন্তে বুৰঞ্জী সম্পৰ্কীয় অনেক নতুন কথা

তেওঁ আমাক দি যাব পাৰিলেহেঁতেন। তেওঁ চৰকাৰৰ ঘৰৰ কামৰপৰা অৱসৰ লোৱা কালৰ সুবিধা অসমীয়াই হেপাহ পলুৱাই লবলৈ নাপালে; তেওঁ অৱসৰৰ শান্তি-সুখ ভোগ কৰিবলৈ নাপালে; নিষ্ঠুৰ কাল তাৰ বাধী হল। আসামৰ কপালেই এনে দুৰ্ভগীয়া। সেইকালৰ ভিতৰতে, বিলাতৰপৰা কলিকতালৈ অহা Opium commission অৰ্থাৎ কানি-প্ৰচলন-ৰহিতৰ বিষয়ে তদন্ত কৰিবলৈ অহা কমিটিৰ হাতত তেওঁ কানি ৰৰবিহৰ বিপক্ষে এখন অভিমত লেখি দিছিল। অভিমতখন লেখি এই লেখকক তেওঁ এবাৰ পঢ়িবলৈকো দিছিল। তেওঁ লেখা "কঠিন শব্দৰ ৰহস্য ব্যাখ্যা" পঢ়ি অসমীয়া কোন আছে যে আনন্দ উপভোগ নকৰাকৈ থাকিব পাৰে? তেওঁৰ আনন্দময় মনৰ সি এটা সৰু উহ মাখোন। তেওঁৰ উদাৰ অন্তঃকৰণে সৰু-বৰ সকলোৰে সৈতে ব্যৱহাৰত পাৰ্থক্য নকৰিছিল। বিদেশত অসমীয়া মানুহ এটা দেখিলেও তেওঁ দুই হাত মেলি আঁকোৱালি ধৰিছিল— তেহেলৈ ডাঙৰেই হওক বা সামান্য মানুহেই হওক। এবাৰ তেওঁ পশ্চিমত ফুৰোঁতে ৰেলৰ ডবাত এজন সাধাৰণ গাৱঁলীয়া অসমীয়া মানুহ দেখি, আনন্দত উত্ৰাৱল হৈ দুই হাত মেলি সেইজনক আঁকোৱালি মাৰি ধৰি কথাবাৰ্ত্তা হৈ আনন্দ পাইছিল; আৰু সেই কথা মই তেওঁৰ নিজৰ মুখৰপৰাই শুনিছিলোঁ। সকলোৱে দেখিছে, কলিকতাৰ ঘোৰাৰ গাড়ীৰ মুছলমান গাৰোৱানে ভেৰোণলৈ খাপ দি গাড়ী ৰখা ঠাইত (stand) থাকোঁতে এটা মুছলমান ধপাত বেচোঁতাই দীঘল নল লগোৱা গুৰগুৰী এটাত ধপাত লগাই গাৰোৱানবোৰক খুৱাই ফুৰি সিহঁতৰ পৰা একোটাকৈ পইছা লয়। এদিন আমাৰ ডাঙৰীয়াই খোজ কাঢ়ি হেৰিশ্যন ৰোডেদি যাওঁতে তেনে গাড়ী ৰখা ঠাই এখনৰ কাষ পালত, সেইদৰে ধপাত বেচোঁতা এটাই ডাঙৰীয়াৰ দীঘল দাঢ়ি দেখি, তেওঁক তাৰ ধৰ্ম্মাৱলম্বী বুলি ভাবি, গুৰগুৰীৰ নলটো তেওঁৰ ফালে আগ বঢ়াই দিছিল। ৰহস্যটো তত্ৰালিকে বুজি হাঁহি সেই নলিচাডাল হাতেৰে ধৰি মুখৰ ফালে মিছাকৈ টোৱাই, তাক নিৰাশ নকৰি পইছা এটা দি গুছি গল। সেই ঘটনাটো তেওঁ নিজেই বঢ়িয়াকৈ ৰং দি আমাক কৈ হঁহুৱাইছিল; আৰু নিজেও নথৈ হাঁহিছিল। এনেজন "প্ৰশান্ত পুৰুষ আনন্দময়" আছিল আমাৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়া।

ৰায় বাহাদুৰ ডাঙৰীয়াৰ মৃত্যুৰ পিছত ৰজনীনাথ ৰায়ে (Mr. R. N. Ray) কমলা আৰু জ্ঞানক স্বৰ্ণৰে সৈতে তেওঁৰ "ৰিট্ৰিট" (The Retreat) বোলা ঘৰলৈ লৈ যায়। ৰজনীনাথ ৰায় ৰায়বাহাদুৰ ডাঙৰীয়াৰ জোঁৱায়েক ডাক্তৰ নন্দকুমাৰ ৰায়ৰ ককায়েক। তেওঁ গভৰ্ণমেণ্টৰ এজন ডাঙৰ বিষয়া আছিল। এইডোখৰ কালতে এটা গলাগোপা (rumour) ওলাই আমাৰ মনত বৰকৈ কষ্ট দিছিল--বিশেষকৈ ডাঙৰীয়াৰ বিধৱা জীয়েক স্বৰ্ণক আৰু তেওঁৰ সৰু ভায়েক দুটিক। সেই গলা-গোপাত ওলোৱা কথাটো প্ৰকৃততে সঁচানে মিছা মই ভালকৈ কব নোৱাৰোঁ। কিন্তু ৰায়বাহাদুৰৰ পৰিয়ালৰ হিতাকাংক্ষী বঙালীসকলেও শুনিবলৈ পাইছিল। গলাগোপাটো হৈছে ৰায় বাহাদুৰৰ বংশৰে গণ্য-মান্য মানুহ এজনে হেনো আদালতত গোচৰ এটা কৰি চেষ্টা কৰি চাবলৈ গৈছিল, যাতে ডাঙৰীয়া গুণাভিৰাম বৰুৱাৰ সৈতে তেওঁৰ গৃহিণীৰ বিবাহটো আইনমতে অসিদ্ধ প্ৰমাণিত হয়। তেনে-হলে ডাঙৰীয়াৰ টকা-কড়ি বিষয়-সম্পত্তিৰ উত্তৰা-ধিকাৰী কমলা আৰু জ্ঞান নহৈ তেওঁলোক হব পাৰে। ডাঙৰীয়াই কোনো উইল কৰি থোৱা নাছিল। বোধ কৰোঁ তেওঁ সমাজিকতো ভবা নাছিল যে তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ বিষয়-সম্পত্তি লৈ এনেকুৱা কোনো কথা উঠিব পাৰে। বাবু দুৰ্গামোহন দাস ডাঙৰীয়াৰ পৰিয়ালৰ এজন বিশিষ্ট বন্ধু আছিল। তেওঁ হাই কাৰ্টৰ এজন ডাঙৰ উকীল আছিল।

এদিন তেওঁ ৰজনী ৰায়ৰ ঘৰলৈ গৈ স্বৰ্ণলতাক কলে, "স্বৰ্ণ, তোমাদেৰ কোনও ভয় নেই। তোমাৰ ভাইদেৰও ভয় নেই। আমি তোমাদেৰ ইষ্টেটেৰ এড্‌মিনিষ্ট্ৰেশনেৰ বন্দোবস্ত কৰেছি।" বাস্তৱিকে তেওঁ তাকে কৰিছিলও। এনে বিষয়ত দুজন জামিন (surities) বা সাক্ষীৰ আৱশ্যক। এজন তেওঁ নিজে হৈছিল আৰু আনজন শ্ৰীযুত জগদীশ বসুক (Sir Jagadish Bose) তেওঁ কৰি দিছিল, যদিও ছাৰ জগদীশ সেই কাৰ্য্যৰ নিমিত্তে ইচ্ছুক নাছিল, কিন্তু দুৰ্গামোহন বাবুৰ অনুৰোধত মান্তি হব লগীয়াত পৰিছিল। হাই কোৰ্টৰ ৰেজিষ্ট্ৰাৰ মিষ্টাৰ বেলচেম্বৰক দুৰ্গামোহন দাসে তালৈকে লৈ গৈ স্বৰ্ণক চিনাক্ত কৰি দিছিল আৰু কাকতত স্বৰ্ণৰ চহী দিয়াইছিল। দুৰ্গামোহন বাবুৱে তেওঁৰ মৃত্যুৰ দিনলৈকে গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ বিষয়-সম্পত্তি সুকলমে "মেনেজ" কৰি আছিল।

ইয়াৰ কিছু দিনৰ পিছত চিৰকাল য়ুৰোপ-প্ৰবাসী শ্ৰীযুত ৰাধিকাৰাম ফুকন কলিকতাত ওলালহি। জনশ্ৰুতি যে তেওঁ বৰুৱা ডাঙৰীয়াৰ বিষয়-সম্পত্তি "মেনেজ" কৰিবলৈ, হাতত লবলৈ আহিছিল। কিন্তু দুৰ্গামোহন দাস এনে কঁকিলা-ডাঁৰৰ পক্ষে ম'হৰ শিং। গতিকে ডাঙৰীয়াৰ বিষয়-সম্পত্তি লৈ আৰু কোনো গোলমাল নুঠিল।

কিছুদিনৰ পিছত স্বৰ্ণক ১৩ নম্বৰ কৰ্ণৱালিছ ষ্ট্ৰীটত থকা "ব্ৰাহ্ম গাৰ্লছ্ স্কুলত" তেওঁৰ দুজনী জীয়েকৰ সৈতে থোৱা হল আৰু কমলা আৰু জ্ঞানক সাধাৰণ ব্ৰাহ্ম-সমাজৰ কাষত থকা "ব্ৰাহ্ম বইজ বোৰ্ডিং হাউছ্ত" থোৱা হল। দুখৰ কথা যে লৰা দুটি "ব্ৰাহ্ম বইজ বোৰ্ডিং হাউছ্ত" থকাৰ এসপ্তাহমানৰ পিছতে কমলা জ্বৰত পৰিল। মই সততে লৰা দুটিৰ আৰু স্বৰ্ণৰ বুজ-বাজ কৰিবলৈ গৈ আছিলোঁ। মোৰ আজিও মনত আছে, এদিন মই গ'লতে মোক কমলাই কন্দনামুৱা হৈ ক'লে "এইবাৰ মোৰ পা'লে"। কথাষাৰ শুনি মোৰ হিয়া ভাগি গল। তথাপি মই যি পাৰোঁ কমলাক সান্ত্বনা দি কথাষাৰ উৰাই দি কমলাৰ মনৰপৰা সেইটো ভাব গুচাবলৈ চেষ্টা কৰিলোঁ, কিন্তু বেচ বুজিব পাৰিলোঁ বেচেৰাৰ মনৰপৰা সেই ভাব নগল। ডাক্তৰ নীলৰতন সৰকাৰ আৰু ডাক্তৰ প্ৰাণকৃষ্ণ আচাৰ্য্যৰ পৰামৰ্শমতে কমলাক আৰু জ্ঞানক দাৰ্জিলিঙলৈ পঠিয়াই দি, "লুই জুবিলি ছেনিটেৰিয়ম"ত থোৱা হল। তাত কমলাৰ বিশেষ উপকাৰ নোহোৱা দেখি, দুইকো কলিকতালৈ আনি বিজিতলাত বাবু পাৰ্ব্বতী প্ৰসন্ন (পূৰ্ণিয়াৰ এজন উকীল) ঘৰ এটাৰ দুটা কোঠালি আৰু "বাথৰুম" এটা কেৰেয়া কৰি লৈ তাতে থাকিবলৈ দিয়া হল। ডাক্তৰ ক্ৰম্বিৰ (Crombie) চিকিৎসা চলল। চিকিৎসাত কোনো উপকাৰ হোৱা নেদেখি, ডাক্তৰ ক্ৰম্বিৰ পৰামৰ্শ মতে কমলাক এটোৱালৈ (Etawah) পঠিয়াই দিয়া হল। লগত দাৰোৱান ৰামভৰোসাক দিয়া হল, আৰু ব্ৰাহ্ম ভদ্ৰলোক এজনক কুৰি টকা দৰমহাত নিযুক্ত কৰি পঠিয়া হল। এটোৱাৰপৰা কমলা বম্বেলৈ গল। ৰজনী ৰায়ৰ পৰামৰ্শমতে তাত কমলা ডাক্তৰ আত্মাৰাম পাণ্ডুৰঙৰ চিকিৎসাৰ অধীনত ৰল। তাত তেতিয়া আমাৰ শ্ৰীযুত মথুৰামোহন বৰুৱা আৰু শ্ৰীযুত জয়কৃষ্ণ দাসে ডাক্তৰী পঢ়িছিল। তেওঁলোকেও কমলাৰ বুজ-বাজ লৈছিল। কিন্তু একোতেই একো নহল। বম্বেৰপৰা কমলাক আকৌ লৈ আহি কলিকতাৰ ভবানীপুৰত জগু বাবুৰ বজাৰৰ ওপৰত ঘৰ এটাত থোৱা হল। তাত প্ৰায় চাৰি মাহ ধৰি কমলাক হমিওপাথি, এলোপাথি, কবিৰাজী চিকিৎসা কৰোৱা হল। কলিকতাৰ ডাঙৰ কবিৰাজ দ্বাৰকানাথ ভিষগ্‌ৰত্ন সেনৰ চিকিৎসাও চলিল। কিন্তু সকলোবোৰ ব্যৰ্থ হল।

১৮৯৪ খ্ৰীষ্টাব্দৰ ৩০ নবেম্বৰত কমলা তাতে চুকাল। এইদৰে দুবছৰৰ ভিতৰতে সেই জয়জয় ময়ময় পৰিয়াৰটোত চাৰিটা মৃত্যু। ডাঙৰীয়া গুণাভিৰাম বৰুৱাৰ সন্তানৰ ভিতৰত বলগৈ জ্ঞানদাভিৰাম আৰু স্বৰ্ণলতা। এতিয়া আমাৰ সকলোৰে মাই চিন্তা হ'ল, কেনেকৈ জ্ঞানদাভিৰামক ৰক্ষা কৰা হব। তেওঁক সমুদ্ৰ-যাত্ৰা (sea-trip) এটা দিয়াই থিৰ হল। লগত শিৱনাথ শাস্ত্ৰী মহাশয়ৰ জোঁৱায়েক ডাক্তৰ বিপিনবিহাৰী সৰকাৰক দিয়া হল; কাৰণ ডাক্তৰ সৰকাৰৰো গা বেয়া আছিল। ব্ৰাহ্মসকলে ভাবিলে তুলসীৰ লগত কলপটুৱাৰ মুক্তিৰ দৰে তেওঁৰো পৰিবৰ্ত্তন হওক;—বিশেষকৈ পৰৰ খৰচতে। জ্ঞানৰ বাইদেৰেক কালীমাইচেনা পুতেক প্ৰিয়নাথেৰে সৈতে তেতিয়া তেওঁলোকৰ লগতে আছিল। প্ৰিয়নাথক আমি জ্ঞানৰ লগত দিবলৈ মনোনীত কৰিছিলোঁ। কিন্তু সেই দাবী ব্ৰাহ্মসকলৰ দ্বাৰায় অগ্ৰাহ্য হল। বি. আই. এচ্. এন্ কোম্পানীৰ লাৱাডা (S. S. Lawada) জাহাজত দ্বিতীয় শ্ৰেণীৰ কেৰেয়া দি জ্ঞানক বিপিন বাবুৰে সৈতে মাদ্ৰাজেদি বোম্বাইলৈ পঠিয়াই দিয়া হল। সেই যাত্ৰাত প্ৰায় এমাহ লাগিছিল। তাৰ পিছত তেওঁ মুঙ্গেৰত থাকিবলৈ আহিল। গুৱাহাটীৰ শ্ৰীযুত ৰাধাকান্ত বৰুৱা তেতিয়া মুঙ্গেৰত আছিল। প্ৰথমতে তেওঁৰ লগতে জ্ঞান ৰলগৈ। পিছত সুকীয়াকৈ ঘৰ এটা কেৰেয়া কৰি আছিল। তাত থাকোঁতেই জ্ঞানে শুনিবলৈ পালে যে য়ুৰোপৰপৰা শ্ৰীযুত ৰাধিকাৰাম ফুকন কলিকতালৈ আহিছে, তেওঁলোকৰ বিষয়-সম্পত্তি হাতত লৈ "মেনেজ" কৰিবলৈ। ১৮৯৫ খ্ৰীষ্টাব্দৰ এপ্ৰিল কি মে মাহত জ্ঞান মুঙ্গেৰৰপৰা আহি শ্ৰীযুত জগদীশ বসু আৰু তেওঁৰ পৰিয়ালেৰে সৈতে দাৰ্জ্জিলিঙলৈ যায়। তাৰ পিছত পোন্ধৰ বছৰ বয়সত ১৮৯৫ খ্ৰীষ্টাব্দত জ্ঞানে বি. আই. এচ্. এন্. কোম্পানীৰ 'ডনেৰা' নামৰ জাহাজত উঠি বিলাতলৈ পঢ়িবলৈ যায়। বিলাতত শ্ৰীযুত জগদীশ বাবুৰে জ্ঞানৰ পঢ়াশুনাৰ বন্দৱস্ত কৰি দিয়াৰ কথা আছিল। কিন্তু বসুৰে গা লাগি সেই কাৰ্য্য কৰাতকৈ গা এৰা দি ফুৰাহে দেখা গৈছিল। ডাক্তৰৰ সূচনাতে (suggestion) জ্ঞানে অক্সফোৰ্ড বা কেম্ব্ৰিজত পঢ়া প্ৰস্তাৱটো উলটি গৈছিল। সেইটো জ্ঞানৰ শিক্ষাৰ নিশ্চয় বিঘিনিজনকহে হৈ উঠিছিল। জ্ঞান বিলাতত থাকোঁতে এবাৰ কলিকতাত ডাক্তৰ জগদীশ বসুৱে মোক তেওঁৰ ঘৰলৈ মাতি নি, তেওঁৰঘে আৰু জ্ঞানৰ সম্পৰ্কে কোনো কাৰ্য্য কৰিবৰ ইচ্ছা নাই, সেইটো মোক কৈ, সেই ভাৰ সম্পূৰ্ণৰূপেহে মই লোৱা উচিত, তেনে প্ৰস্তাৱ কৰিছিল।

বিলাতত গা ভাল নথকা বাবে, জ্ঞান ১৮৯৮ খ্ৰীষ্টাব্দত কলিকতালৈ উভতি আহে। তেওঁ কিছু দিন হাওৰাৰ বোজমেৰি লেনৰ ঘৰত আমাৰ সৈতে থাকে আৰু তাৰ পিছত আমাৰ ঘৰৰ ওচৰতে বেণ্টিঙ্ক লেনত সৰু ঘৰ এটা কেৰেয়াকৈ লৈ থাকে। তাত তেওঁ চাৰি-পাঁচমাহমান আছিল। স্বৰ্ণও প্ৰায় এমাহমান

জ্ঞানৰ লগতে আছিলছি। তাৰ পিছত ২৫০ নম্বৰ গ্ৰেণ্ট্ৰাঙ্ক ৰোডত ঘৰ এটা লৈ জ্ঞান থাকেছি। ইয়াৰ কিছু কালৰ আগতে হুগলী কলেজৰ প্ৰিন্সিপেল গুণী আৰু বিদ্বান শ্ৰীযুত ক্ষীৰোদচন্দ্ৰ ৰায় চৌধুৰীৰে সৈতে স্বৰ্ণলতাৰ পুনৰ্ব্বাৰ বিবাহ হৈছিল। শিয়ালদহ ষ্টেশ্যনৰপৰা কিছু দূৰতে হেৰিছন ৰোডত ক্ষীৰোদ বাবুৱে জ্ঞানৰ নিমিত্তে (অৱশ্যে জ্ঞানৰ টকাৰেই) এটা পকাঘৰ সজায়। তাতে ক্ষীৰোদ বাবু আৰু স্বৰ্ণ কিছু দিন আছিল। ক্ষীৰোদ বাবু হুগলী কলেজৰ পৰা, কটকৰ ৰেভেন্সা কলেজৰ প্ৰিন্সিপেল হৈ বদলি হৈ যায়। এদিন হেৰিছন ৰোডৰ ঘৰটোৰ তলত এন্দুৰ মৰা দেখি, স্বৰ্ণৰ ভাতৰন্ধা বামুণটোক ঘৰটোৰ ৰখীয়া কৰি থৈ স্বৰ্ণক মই আমাৰ ঘৰত থওঁছি। দুদিনৰ পিছতে তাতে সেই ৰখীয়া বামুণটো প্লেগত মৰে। তাৰ পাছত স্বৰ্ণ ছোৱালী দুটিৰে সৈতে ক্ষীৰোদ বাবুৰ লগলৈ কটকলৈ গুচি যায়।

ইয়াৰ কিছু দিনৰ পিছত জ্ঞান আসামলৈ যায়। পূজাৰ পিছত তেওঁ কলিকতালৈ উভতি আহি, হাওড়াত আমাৰ ৰোজমেৰি লেনৰ ঘৰতে আমাৰে সৈতে থাকে। ১৯০৬ খ্ৰীষ্টাব্দত তেওঁ বালিগঞ্জৰ ঝাউতলা ৰোডৰ ঘৰ এটালৈ উঠি যায়, সেই বছৰতে তেওঁৰ বিয়া হয়। মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ বৰ পুতেক দাৰ্শনিক পণ্ডিত শ্ৰীযুত দ্বিজেন্দ্ৰনাথ ঠাকুৰৰ মাজু পুতেক শ্ৰীযুত অৰুণেন্দ্ৰনাথ ঠাকুৰৰ বৰ জীয়েক শ্ৰীমতী লতিকা দেৱীৰে সৈতে তেওঁৰ বিয়া হয়। মই সেই সময়ত শ্ৰীযুত ভোলানাথ বৰুৱাৰে (বি. বৰুৱা) সৈতে কাশ্মীৰত আছিলোঁ।

মোৰ ককাইদেও ডাক্তৰ গোলাপচন্দ্ৰ বেজবৰুৱাই (ডাক্তৰ জি. চি বেজবৰুৱা) বিলাতত ডাক্তৰী পৰীক্ষা (L. R. C. P. আৰু L. F. P. S.) পাছ কৰি, অনেক বছৰ দক্ষিণ আমেৰিকাৰ ডামৰাৰা নামৰ ঠাইত থকা মাৰা চহৰত ছিভিল ছাৰ্জ্জন হৈ কাম কৰিছিল। ১৫।১৬ বছৰৰ পিছত তেওঁ অৱসৰ লৈ তাৰপৰা গুচি আহি হাওড়াত আমাৰ লগতে আছিল। হাওড়া মিউনিচিপেলিটিৰ তেওঁ হেল্‌থ অফিচৰৰ কাম পাই কাম কৰিছিল। কিছু দিনৰ পিছত তেওঁ আমাৰ লগৰপৰা গৈ শ্ৰীমান জ্ঞানদাভিৰামেৰে সৈতে হাওড়াতে গোলাবাৰী ৰোডৰ ৩৪ নম্বৰৰ ঘৰ এটা স্বকীয়াকৈ লৈ থাকেগৈ। তাতে মোৰ ককাইদেওৰ বিয়া হয়। তেওঁৰ বিয়াৰ পিছত জ্ঞান ওপৰত কৈ অহা বেষ্টিঙ্ক লেনৰ ঘৰলৈ আহে। ১৯০০ চনৰ মাৰ্চ্চ কি এপ্ৰিল মাহত, মই যেতিয়া শ্ৰীযুত ভোলানাথ বৰুৱাৰে সৈতে একেলগে হাওড়াৰ ডবচন্ ৰোডত ঘৰ এটা কিনি তাক আৰু ভালকৈ সজাই পৰাই লৈ তাত থাকিবলৈ, যিদিনা "গৃহ প্ৰৱেশ" উৎসৱ কৰোঁ সেইদিনা তাত জ্ঞান আৰু তেওঁৰ ভগ্নীপতি ক্ষীৰোদ বাবু উপস্থিত থাকি সেই উৎসৱত যোগ দি আমাৰ আনন্দ বৰ্দ্ধন কৰিছিল। আদি ব্ৰাহ্ম-সমাজৰ পণ্ডিত প্ৰিয়নাথ শাস্ত্ৰীয়ে সেই উৎসৱত মন্ত্ৰপাঠ আদি কৰি সেই উৎসৱৰ কাৰ্য্য সম্পাদন কৰিছিল। ১৯০৮ খ্ৰীষ্টাব্দত শ্ৰীযুত ভোলানাথ বৰুৱা যেতিয়া বিলাতলৈ যাবলৈ ওলাল, জ্ঞানক তেওঁৰ পথ-প্ৰদৰ্শক সহায়ক-স্বৰূপে তেওঁ লগত লবৰ প্ৰস্তাৱ কৰিলত জ্ঞানো লগতে বিলাতলৈ গল। অৱশ্যে জ্ঞানেও জাহাজৰ কেৰেয়া ইত্যাদি নিজে বহন কৰিছিল। বি. বৰুৱা বিলাতত প্ৰায় ছমাহমান আছিল। জ্ঞানে তাতে থাকি এইবাৰ বেৰিষ্টাৰী পৰীক্ষাত উঠি ১৯০৯ খ্ৰীষ্টাব্দত ডিচেম্বৰ মাহত কলিকতালৈ উভতি আহে।

মই গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ আৰু তেওঁৰ পৰিয়ালৰ বিষয়ে এইদৰে বহলাই লেখাৰ অভিপ্ৰায় এয়ে যে কেনেকৈ বিবিধ বিড়ম্বনাত এনে এটা শ্ৰেষ্ঠ আৰু সুন্দৰ অসমীয়া পৰিয়াল অলপ কালৰ ভিতৰতে ভাগি-ছিগি গল, সেইটো সকলোকে জনাব লাগে। আমি কত আশা কৰিছিলোঁ; আমাৰ আশা ঈশ্বৰৰ অলংঘ্য বিধানত অনেকখিনি ছেদ হল। পুনৰ্ব্বাৰ কওঁ ডাঙৰীয়া গুণাভিৰাম বৰুৱাই অন্ততঃ আৰু দহবছৰমান জীয়াই থাকি তেওঁৰ অৱসৰকালৰ সুখ-শান্তি ভোগ কৰিবলৈ যদি পালেহেঁতেন তেওঁ অসমীয়াৰ মঙ্গলৰ অৰ্থে, আৰু ঘাইকৈ অসমীয়া সাহিত্যৰ অৰ্থে কিমান কাম কৰি গলহেঁতেন, সেইটো সহজতে অনুমান কৰিব পাৰি। তেওঁৰ এটাইকেইটি ধুনীয়া ধুনীয়া পুতেক যদি কলিতে শুকাই নগৈ সৰি নপৰি জীয়াই থাকিলেহেঁতেন, আমি আৰু দুটি অসমীয়াৰ আদৰৰ ধন জে. বৰুৱা পালোহেঁতেন বুলি মোৰ বিশ্বাস। ঈশ্বৰৰ অশেষ কৃপা যে কোনো-মতে চুকে-কোণে থাকি জ্ঞানদাভিৰাম বৰুৱা বল,—যিজনেই আজি অসমীয়াৰ আদৰৰ আৰু গৌৰৱৰ বস্তু, "প্ৰিন্সিপেল জে. বৰুৱা।" তেওঁ তেওঁৰ বৰণীয় পিতৃদেৱতাৰ ওখ মন আৰু বহল হৃদয়ৰ প্ৰকৃত উত্তৰাধিকাৰী নহয়নে? গোটেই অসমত উঠা প্ৰতিধ্বনিয়ে কৈছে "হয়।" ঈশ্বৰে তেওঁক দীৰ্ঘজীৱী কৰি কুশলে ৰাখক, ঈশ্বৰৰ চৰণত এই জীৱন-সোঁৱৰণৰ লেখকৰ এয়ে আন্তৰিক প্ৰাৰ্থনা।

ষষ্ঠ অধ্যায়

কলিকতা য়ুনিভৰ্ছিটিৰ হাতত শেষত এইদৰে মাৰ খাই ধিক্‌কাৰ লাগি সেইকালে আৰু মুখ নকৰো বুলি প্ৰতিজ্ঞা কৰিলোঁ। আৰু স্বাধীনভাৱে ব্যৱসায়-বাণিজ্য-বৃত্তিকে ধৰি জীৱন কটাবলৈ সঙ্কল্প কৰিলোঁ। শ্ৰীযুত ভোলানাথ বৰুৱাক মোৰ মনৰ কথা এদিন

কলতে তেওঁ মোক আঁকোৱাল মাৰি ধৰিলে। তেওঁৰে সৈতে লগ লাগি ব্যৱসায় কৰাকে স্থিৰ কৰি একান্ত-মনেৰে মই কাৰ্য্যত লাগি গলোঁ। তেওঁ গা ভাল পাই (১৮৯৩ খৃষ্টাব্দত) নবিয়াৰপৰা উঠি সৰু-সুৰা ব্যৱসায়ত ধৰিছিল। প্ৰথমতে কলিকতাৰ মেক্‌লিউড্ (Mc-Leod) কোম্পানীৰ তেওঁ বাৰচেৰেক গাৰোপৰ্ব্বতৰপৰা অলপ-অচৰপ কপাহ আনি বেচিছিল। তাৰ পিছত "বি. ব্ৰাদাৰ্ছ" নাম দি, কলিকতাৰ বঙ্গলা বাতৰি কাকত সঞ্জীৱনীত বিজ্ঞাপন দিছিল যে. বি. ব্ৰাদাৰ্ছ কোম্পানীয়ে চেগুণ কাঠৰ চ'তি, বৰগা, চৌকাঠ ইত্যাদি যাক লাগে, সোনকালে আৰু সস্তাত যোগাব। তেওঁৰ এই উদ্যম সফল নহল। তাৰ পিছত তেওঁ ই. আই. আৰৰ আছানসোল ষ্টেশ্যনত সৰু দুমহলীয়া ঘৰ এটা কেৰেয়াকৈ লৈ তাতে অসমৰ চাহ খুচুৰাকৈ বিক্ৰী কৰাত ধৰিছিল। চাহৰ লগতে দুই-চাৰিডাল কাঠো বিক্ৰী কৰিবলৈ লৈ লৈছিল। বঙ্কুবিহাৰী কৰ নামৰ বঙ্গালী এজনক মাহে টকাচেৰেক দৰমহাত সেই ব্যৱসায়ৰ কাৰ্য্যত তেওঁ ৰাখিছিল। তাৰ পিছত বেঙ্গল নাগপুৰ ষ্টেশ্যন গুইলকেৰ আৰু মনোহৰপুৰত সৰু-সুৰাকৈ ৰেলৰ স্লিপাৰৰ ব্যৱসায় কৰিবলৈ মনস্থ কৰি তেওঁ গভৰ্ণমেণ্ট ফৰেষ্ট ডিপাৰ্টমেণ্টৰপৰা তাৰ্কবাগাকৈ গছ "ৰয়েলটীত" বন্দবস্ত কৰি লৈ সেই কাৰ্য্যত হাত দিছিল। সেই কাৰ্য্যত তেওঁক সহায় কৰিবলৈ তেওঁলোকৰ বংশৰে গোপীনাথ বৰুৱা নামৰ এজনক আনি, শোভাৰাম বসাকৰ লেনৰ ঘৰতে আমাৰ লগতে থৈছিল। তেতিয়াৰ "জোনাকী" কাকত পঢ়োতাসকলে দেখিছিল, যে মাহদিয়েক গোপীনাথ বৰুৱাক মই "জোনাকীত" "জোনাকী"ৰ প্ৰকাশক বুলি জাননী দিছিলো। গোপীনাথ বৰুৱাক গ্ৰাহকলৈ "জোনাকী" পঠিওৱা আৰু তাৰ হিচাপ ৰখা আদি কামত নিযুক্ত কৰিছিলোঁ। তাৰ পিছত গোপীনাথক বি. বৰুৱাই গুইলকেৰ আৰু তাৰ পিছত মনোহৰপুৰৰ তেওঁৰ ব্যৱসায়ত সহায় কৰিবলৈ লৈ গ'ল। তাৰ পিছতে মই বি. বৰুৱাৰ ব্যৱসায়ৰ ভিতৰত প্ৰৱিষ্ট।

আমাৰ কাঠৰ ব্যৱসায় লাহে লাহে ভাল হৈ আহিবলৈ ধৰিলে। বি. বৰুৱাই সম্বন্ধত তেওঁৰ ভাগিনিয়েক, একজিকিউটিভ ইঞ্জিনিয়েৰ বলিনাৰায়ণ বৰাৰ ভায়েক শ্ৰীযুত মহীনাৰায়ণ বৰাক গুৱাহাটীৰ-পৰা আনিলে। মহীনাৰায়ণো মোৰ লগতে শোভা-ৰাম বসাকৰ ঘৰতে কিছু দিন বলহি।

কিছুমান দিনৰ পিছত বি. বৰুৱা আৰু মই শোভাৰাম বসাক লেনৰ ঘৰ এৰি দি ১৪ নম্বৰ গোপীকৃষ্ণৰ লেনৰ ঘৰ এটালৈ উঠি গলোঁ। মোৰ গৃহিণীকো তেওঁলোকৰ জোৰাসাঁকোৰ ঘৰ ৬ নম্বৰ দ্বাৰকানাথ ঠাকুৰৰ লেনৰপৰা তালৈ লৈ আহিলোঁ। গোপীকৃষ্ণ পালৰ লেনৰ আমাৰ ঘৰটো দুমহলীয়া আৰু ডাঙৰ আছিল। তাত সুকীয়া দুটা ফাল বা বিভাগ আছিল। ৰাজবাটৰ ফালে সমুখৰ ফালটোত বি. বৰুৱা আৰু ভিতৰফালে আমি থাকিবলৈ ললোঁ। আমাৰ খোৱা-বোৱা একেলগে চলিল। ইতিমধ্যে মহীনাৰায়ণ বৰাক মনোহৰপুৰ ষ্টেশ্যনত থাকি কাম কৰিবলৈ পঠোৱা হল। মোৰ কাৰ্য্য হল কলিকতাৰ ফালে ব্যৱসায়ৰ সকলো কাম দেখা। মাজে মাজে অৱশ্যে বি. এন্. আৰ. লাইনত থকা আমাৰ ব্যৱসায়ৰ ষ্টেশ্যনবোৰলৈকো মই গৈছিলোঁ। বি বৰুৱাই লাইনৰ ফালে সকলোবোৰ ঠাইত ঘূৰি ফুৰিবলৈ ধৰিলে। দিনে দিনে আমাৰ ব্যৱসায়ে ঠন ধৰি আহিবলৈ ধৰিলে।

মই কলিকতাৰ "ঠাকুৰবাৰীত" বিয়া কৰাইছিলোঁ। খুব সম্ভৱ এই বাবেই কলিকতাৰ অভিজাত শ্ৰেণীৰ সৰহভাগলোকৰ ঘৰৰ দুৱাৰ মোলৈ মুকলি হৈছিল। অনেকৰে সৈতে মোৰ ভালকৈ চিনা-পৰিচয়ো হৈছিল, আৰু তেওঁলোকৰপৰা মই আদৰ-সাদৰো পাইছিলোঁ। বি. বৰুৱাই মোক তেওঁৰ নিজা ভায়েক বুলি সকলো ঠাইতে চিনাকি দিছিল। প্ৰথমডোখৰত সেই কথাতে যদিও মোৰ অলপ অচৰপ খোকোজা লাগিছিল, তাৰ পিছত সেইটো মোৰ সহজ হৈ গল, আৰু ময়ো সেই সম্বন্ধকে ভালকৈ মানি লৈ চলিবলৈ ধৰিলোঁ। সেই সূত্ৰতে ওপৰত কোৱা অভিজাত শ্ৰেণীৰ দুৱাৰো তেওঁলৈকো মুকলি হৈ পৰিল। ব্যৱসায়ৰ সম্পৰ্কত বা মানুহক এনেই দেখাশুনা কৰা সম্পৰ্কত আমি দুয়ো সদায় একেলগে ফুৰিছিলোঁ। কলিকতাৰ নিমতলাও কাঠৰ গোলাবোৰৰ ঘাই ঠাই। সেই গোলাবোৰৰ সৰহভাগেই তেতিয়া কাঠৰ ব্যৱসায়ী গিৰীশচন্দ্ৰ বোসৰ তলতীয়া আছিল। বাস্তৱিকতে চেগুণ কাঠৰ ব্যৱসায়ত গিৰীশ বাবু তেতিয়া একচ্ছত্ৰ ক্ষমতাশালী আছিল বুলিলে বঢ়াই কোৱা নহয়। গিৰীশ বাবুৰ দিহা আৰু পৰামৰ্শ আনবোৰ কাঠৰ ব্যৱসায়ীয়ে মানি চলিছিল। গিৰীশ বাবুৰ প্ৰথমতে কলিকতাৰ সুপ্ৰসিদ্ধ তাৰকানাথ প্ৰামাণিকৰ পুতেক কালীকৃষ্ণ প্ৰামাণিকৰ "ফাৰ্মত" সামান্য চাকৰী কৰিছিল। তাৰ পাছত লাহে লাহে সুকীয়াকৈ নিজৰ বুদ্ধি আৰু কপালৰ বলত তেনে অৱস্থা পাইছিলগৈ। বি, বৰুৱাই তেওঁৰে সৈতে চিনাকি হৈ লৈ, তেওঁৰ সম্পৰ্কতে অলপ-অচৰপ কাঠৰ ব্যৱ-সায়ত হাত দিলে। বি. বৰুৱা আৰু তেওঁৰ লগত মই গিৰীশ বাবুৰ কাষত গিৰীশ বাবুৰ কাঠৰ গোলাত বহিছিলোঁগৈ। বি. বৰুৱাই মোক গিৰীশ বাবুৰ আগত তেওঁৰ নিজা ভায়েক বুলি পৰিচিত কৰিছিল। শ্ৰীযুত কালীকৃষ্ণ প্ৰামাণিকেৰে সৈতেও আমাৰ ভালকৈ চিনাকি হৈছিল। প্ৰামাণিকৰ আন আন ব্যৱসায়ৰ

লগতে জাহাজ মেৰামত কৰা "ডক্" এটা হাওড়াত আছিল। "ডক্"টোৰ নাম "কেলিডনিয়া ডক" (Caledonia Dock)। ডকৰ মেনেজাৰ বৰ চাহাবজন য়ুৰোপীয়। এছিষ্টেণ্ট মেনেজাৰ আছিল এজন বঙালী, তেওঁৰ নাম বাবু অতুলকৃষ্ণ ঘোষ। অতুল বাবুৰ নিচিনা ওখ মনৰ অমায়িক আৰু পৰোপকাৰী মানুহ বিৰল। কলিকতাৰ সুবিখ্যাত "গাইনোকোলজিষ্ট" আৰু ধাত্ৰী-বিদ্যাত অপ্ৰতিদ্বন্দ্বী ডাক্তৰ ছাৰ কেদাৰনাথ দাস (যাৰ অলপতে মৃত্যু হল) অতুল বাবুৰ নিজা ভাগিনিয়েক আছিল। অচিৰতে অতুল বাবুৰে সৈতে আমাৰ ঘনিষ্ঠ বন্ধুত্ব সংঘটিত হল। সুবিধা পালেই মই কেলিডনিয়া ডকলৈ গৈ অতুল বাবুৰ কাষত বহি তেওঁৰে সৈতে কথাবাৰ্ত্তা পাতি আনন্দ উপভোগ কৰিছিলোঁ; আৰু বি. বৰুৱাও কলিকতালৈ আহিলেই আমি দুয়ো লগলাগি গৈছিলোঁ। বুঢ়া কালীকৃষ্ণ প্ৰামাণিক আৰু তেওঁৰ তিনি পুতেক আশুতোষ, প্ৰমথ আৰু মন্মথ প্ৰামাণিকেৰে সৈতেও আমাৰ বন্ধুত্ব হৈছিল। মাজে মাজে আমি কালীকৃষ্ণ প্ৰামাণিকৰ ঘৰলৈ গৈছিলোঁ। তেওঁলোকৰ প্ৰকাণ্ড ঘৰ কলিকতাৰ কাঁসাৰীপাড়াৰ বাৰাণসী ঘোষৰ ষ্ট্ৰীটত। কালীকৃষ্ণ প্ৰামাণিকৰ মোৰ প্ৰতি কথাবাৰ্ত্তা বৰ স্নেহসূচক আছিল। তেৰোঁ জানিছিল যে ভোলানাথ আৰু লক্ষ্মীনাথ দুয়ে কৰাগেৰু-ভায়েক। প্ৰামাণিকেৰে সৈতে আমাৰ অলপ-অচৰপ ব্যৱসায়ৰ সম্পৰ্ক লগাই লোৱা হল।

আমাৰ প্ৰথমডোখৰ ব্যৱসায়-জীৱনৰ পাঁচ বছৰমানলৈকে, কলিকতাত আমাৰ নিজৰ গাড়ী, ঘোঁৰা আৰু কেৰাণী-মহৰীৰ অস্তিত্ব সমূলি নাছিল। আমি "নিতাই গৌৰ দুই ভায়ে" নিতৌ ট্ৰেমগাড়ীত বা পদব্ৰজে ফুৰিছিলোঁ। দুয়ো সকলোবোৰ ঠাইলৈকে একেলগে গৈছিলোঁ। বি. বৰুৱাৰ গাত খাৰ্কী কোট (ডিঙি নোখোলা) আৰু পেণ্টলুং, মূৰত ক'লা বা ছাই-বৰণীয়া টুপী এটা, হাতত ছাতি এটা, আৰু মোৰ মূৰৰপৰা ভৰিলৈকে পূৰা য়ুৰোপীয় সাজ। বি. বৰুৱাই ট্ৰেমৰপৰা নামি পদব্ৰজৰ আশ্ৰয় ললেই তেওঁৰ মুখত এই গানটো ওলাইছিল,—

চল ৰে মন যাই ৰে কাশী,
বাবা বিশ্বনাথকে দেখে আসি।
কাশী গেলে দেখতে পাব,
কত শত যোগী ঋষি।

মানুহক নানা কৌশলেৰে বশ কৰা বিদ্যাত বি. বৰুৱা বৰ পটু আছিল। বেঙ্গল টিম্বাৰ ট্ৰেডিং কোম্পানীৰ ফৰেষ্ট মেনেজাৰ আছিল মিষ্টাৰ হুইফিন্ (F. D. Whiffin)। তেওঁৰ হেডকোৱাৰ্টাৰ আছিল বি. এন্. আৰৰ ৰঘুনাথ পালী বা পানপোছ ষ্টেশ্যনত। তাত হুইফিন বৰ চাহাব, আৰু ছোট চাহাব ৰাইট্ (C. H. Write) আৰু দুই-চাৰিজন য়ুৰোপীয় এছিষ্টেণ্ট্। হুইফিন, "আমীৰী মিজাজৰ" চাহাব আছিল। টকাটো ভঙাবলৈ দিলে, তাত যদি খুচুৰা পইচা থাকে, আন কি বাৰ অনাও, তেওঁ সেইবোৰ নুছুই তাতে এৰি থৈ সিকিটো লৈ গুচি-আহিছিল। তেওঁৰ এই স্বভাৱৰ সুবিধা তেওঁৰ চাকৰ-নাকৰ আৰু কেৰাণী বাবুসকলে ললে লৈছিল। পানপোছত তেওঁ থকা ঘৰ আৰু চৌলটো তেওঁ ৰম্যপুৰী কৰি ৰাখিছিল। বিলিয়াৰ্ড খেলা টেবুলকে আদি কৰি সকলোবোৰ বিলাতী খেলৰ আহিলা-পাতি তেওঁ তাত ৰাখিছিল। সততে বঙলাত য়ুৰোপীয়সকলৰ ভোজ আৰু নৃত্য চলিছিল। চৌলৰ ভিতৰতে সৰু-সুৰা 'জুলজিকেল গাৰ্ডেন' অৰ্থাৎ বনৰীয়া জীৱ-জন্তু ৰখা "চিৰিয়াখানা" তেওঁ কৰিছিল। কলিকতাৰ "জাৰ্দ্দিন স্কীনাৰ কোম্পানী" (Zardine Skinner & Co), বেঙ্গল টিম্বাৰ কোম্পানীৰ "মেনেজিং এজেণ্টচ্" কলিকতাৰ হেড্ অফিচত বেঙ্গল টিম্বাৰৰ বৰ চাহাব আছিল ষ্টুৱাৰ্ড (G. R. Steward)। বি. বৰুৱাই লাহে লাহে হুইফিন্ চাহাবক সন্তুষ্ট কৰি বেঙ্গল টিম্বাৰৰ তলত ঠিকাদাৰ হৈ বেঙ্গল টিম্বাৰত স্লিপাৰ যোগাবলৈ বন্দবস্ত কৰিলে। 'ফাইনেন্স' (Finance) অৰ্থাৎ জঙ্ঘল লোৱা আৰু স্লিপাৰ কটোৱা প্ৰভৃতি সকলো খৰচ বেঙ্গল টিম্বাৰে সপ্তাহে বি. বৰুৱা কোম্পানীক দিবলৈ ধৰিলে। চন্দননগৰ নিবাসী বাবু বটকৃষ্ণ পাল নামেৰে বঙালী এজনে, বি, এন, আৰ, লাইনত ঠিকাদাৰী কৰি কিছুদিন স্লিপাৰৰ কাম কৰি আছিল। তেওঁক বি. বৰুৱা কোম্পানীৰ তলত ঠিকাদাৰ (Subcontractor) কৰি লোৱা হল; আৰু বি. বৰুৱা কোম্পানীয়ে "ফাইনেন্স" কৰিবলৈ ধৰিলে। বটু বাবু কৰ্ম্মক্ষম আৰু উপযুক্ত ব্যৱসায়ী মানুহ আছিল। তেওঁক পাই আমাৰ কামৰ বৰ সুবিধা হ'ল। মুঠতে বেঙ্গল টিম্বাৰে আমাক "ফাইনেন্স" কৰে আৰু আমি বটু বাবুক আৰু আন আন সৰু সৰু ঠিকাদাৰবোৰক "ফাইনেন্স" কৰোঁ। আৰু সেইদৰে সংগ্ৰহ কৰি পোৱা স্লিপাৰ বেঙ্গল টিম্বাৰক যোগাওঁ। এনে প্ৰণালীৰে কাম চলি আমাৰ ব্যৱসায় বাঢ়ি আহিবলৈ ধৰিলে। গাংপুৰ এখন "ফিউডেটোৰি ষ্টেট"। গাংপুৰৰ ৰজাৰে সৈতে ভালকৈ চিনাকি হৈ বন্ধুতা কৰি, বি. বৰুৱাই তেওঁৰ ষ্টেটত শাল কাঠৰ ভাল জঙ্ঘল এখন বন্দবস্ত কৰি ললে। বটু বাবুক সেই জঙ্ঘলত কাম কৰিবলৈ দিয়া হল। বি. বৰুৱাই বি. এন্. আৰ. লাইনত দিনে-ৰাতিয়ে টাকুৰি ঘূৰাদি ঘূৰিবলৈ ধৰিলে। মই ঘাইকৈ, কলিকতাৰ য়ুৰোপীয় আৰু দেশী ব্যৱসায়ীসকলৰ "ফাৰ্ম্ম"বোৰত ঘূৰিবলৈ ধৰিলোঁ। জাৰ্দ্দিন কোম্পানীৰ অফিচলৈ যোৱাটো মোৰ দৈনিক কাম

আছিল। দুপৰীয়া একমান বজাৰপৰা কাঠৰ ব্যৱসায় কৰোঁতা দেশী মহাজনবোৰ আৰু দিনৰ বেঙ্গল টিম্বাৰ অফিচত গোট খায়হি। বিপিনবিহাৰী দাস তাৰ হেড্ বাবু আছিল। বিপিন বাবুৰ অফিচৰ খোটালিটোত বিপিন বাবুক বেঢ়ি সকলোবোৰ বহিছিল, আৰু তাত কাঠ নামৰ ৰাজ-ভগনৰ কথাৰ-পৰা আৰম্ভ কৰি কলখোকা বাদুলীয়ে খোৱাৰ শাৰীৰ সকলো চৰ্চ্চা চলিছিল। বিপিন বাবুৰ কাষৰ "আড্ডা" তিনিমান বজাত ভাঙি আমি "গিলেণ্ডৰ আৰবুথনট্ কোম্পানী"ৰ কাঠৰ ডিপাৰ্টমেণ্টত বহি-ছিলোঁহি। তাৰ বৰ বাবু আছিল ক্ষেত্ৰ বাবু। তেওঁৰ ওচৰত কিন্তু বিপিন বাবুৰ কামত হোৱাৰ নিচিনা "মজলিচ্" নজমিছিল। অৱশ্যে কিছু দূৰলৈ নহৈছিল এনে নহয়, কিন্তু সিমান সৰহ নহৈছিল। তাৰ পিছত জৰ্জ্জ হেণ্ডেৰ্চন, মেকেঞ্জি লায়েল, ইত্যাদি কোম্পানীৰ অফিচলৈ গৈ আমি পাচমান বজাত ঘৰাঘৰি গৈছিলোঁহক। তেতিয়াও বি. বৰুৱা কোম্পানীৰ নিজৰ গাড়ী-ঘোৰা নাছিল; কলিকতাৰ অফিচ নিজৰ থকা ঘৰতে, আৰু অফিচ কেৰাণী-মহৰী-বিবৰ্জ্জিত।

দুবছৰমান আমি গোপীকৃষ্ণ পালৰ লেনত থকাৰ পিছত আমি তাৰপৰা বলৰাম দেব ষ্ট্ৰীটৰ ঘৰ এটালৈ উঠি গলোঁ। কলিকতাৰ আমাৰ হেড্ অফিচৰ হিচাপ-কিতাপ ৰখা আৰু আন আন সৰু-বৰ সকলো কাম অকল মোৰ দ্বাৰায় সম্পাদিত হৈছিল। পান-পোচৰ বৰ ছাহাব হুইফিন আৰু তেওঁৰ এচিষ্টেণ্ট-বোৰলৈ, আন কি হুইফিন ছাহাবৰ হেড ক্লাৰ্ক বাবু শ্যামলাল বাবুজ্জীলৈকো, সততে ফল আৰু শাকপাচলিৰ "ডালি" কলিকতাৰপৰা পঠোৱা হৈছিল। মই ট্ৰেমত উঠি নিউ মাৰ্কেট নাইবা বৰবাজাৰৰ পোষ্টা বজাৰলৈ গৈ, কি খৰালি কি বাৰিষা, বাশি বাশি ফল আৰু শাক-পাচলি কিনি কুলীৰ হতুৱাই পাচিত ভৰোৱাই ওপৰত থৈলা দি সিয়াই, তাৰ ওপৰত নিজ হাতে নাম লেখি, কুলীৰ মূৰত তুলি দি, কুলীৰ লগতে খোজ কাঢ়ি গৈ হাওড়া ষ্টেশনত "বুক" কৰি দি ঘৰলৈ আহিছিলোঁ। এনে কাৰ্য্য মাহেকত মই দহ-বাৰ বাৰ কৰিছিলোঁ। একো একোদিনা সেই কাৰ্য্য কৰিবলৈ পুৱাই ওলাই গৈ, আবেলি তিনিমান বজাতহে মই ঘৰলৈ উভতি আহিছিলোঁ। বি. এন. আৰৰ মুখিয়াল ফিৰিঙ্গি বা য়ুৰেছিয়ান কৰ্ম্মচাৰীসকললৈকো বি. বৰুৱাৰ আদেশমতে এনে "বাস্কেট" পঠোৱা হৈছিল। বৰদিন অৰ্থাৎ খ্ৰীষ্টমাচৰ সময়তো সেইটো বহৎ ব্যাপাৰ হৈ উঠিছিল। নিউ মাৰ্কেটৰ "কেক্", ফল আৰু কৰি আদি শাক-পাচলিৰ "বাস্কেট" পঠোৱাৰ অন্ত নাছিল। এইবোৰ কাৰ্য্য মই অতি আনন্দমনেৰে আৰু অদম্য উৎসাহেৰে কৰি গৈছিলোঁ; কাৰণ মোৰ দৃঢ় ধাৰণা হৈছিল যে এইবোৰ আমাৰ ব্যৱসায় গঢ়ি ডাঙৰ কৰিবৰ নিমিত্তে অত্যাৱশ্যকীয়। আকৌ কওঁ, মোক এইবোৰ কাৰ্য্যত সহায় কৰিবলৈ কেৰাণী বা চাপৰাচী এটাও তেতিয়া কলিকতাত আমাৰ নাছিল। কম খৰচতে যাতে আমাৰ ব্যৱসায় চলে সেইটোৰেই মোৰ প্ৰধান ইচ্ছা।

অনেকে জানে, আৰু বঙ্গদেশত প্ৰত্যেক শিক্ষিত পৰিয়ালৰ মানুহে জানে যে মোৰ সহধৰ্ম্মিণী ৰন্ধন-বিদ্যাত পৰিপক্কা। সৰুৰেপৰা সেই কাৰ্য্যলৈ তেওঁৰ মনৰ টান। নতুন মাল-মছলাৰ সংযোগ-বিয়োগ কৰি তেওঁ সেই কালত অনেক ৰন্ধন-প্ৰণালী উদ্ভাৱন কৰিছিল। তেওঁ যেতিয়া আমাৰ গোপীকৃষ্ণ পালৰ লেনৰ ঘৰলৈ আহিল, স্বভাৱতে আমাৰ খোৱা-বোৱাৰ উন্নতি শ্ৰেষ্ঠৰপৰা শ্ৰেষ্ঠতম হৈ পৰিল গৈ। যদিও আমাৰ সাধাৰণ ৰকমৰ ভাত-ৰান্ধনি এটা আছিল, তাক হাতত লৈ, তেওঁ দিনো ইংৰাজী আৰু দেশী ৰন্ধা-বঢ়াৰ সুখাদ্য আহাৰ প্ৰস্তুত কৰিবলৈ ধৰিলে। বি. বৰুৱাই সুবিধা দেখি, আমাৰ ব্যৱ-সায়ৰ সম্পৰ্কীয় বন্ধুলোকসকলক নিমন্ত্ৰণ কৰি আমাৰ ঘৰত খুৱাই সন্তোষ প্ৰদান কৰিবলৈ ধৰিলে। আমাৰ ছাব-কণ্ট্ৰেক্টৰ বটু বাবু আৰু তেওঁৰ কাৰ্য্যকাৰকসকলৰ ভূৰি-ভোজন মাহেকত তিনি-চাৰিবাৰকৈ আমাৰ ঘৰত চলিছিল। মুঠতে কলিকতাত আমাৰ ব্যৱসায়ৰ সম্পৰ্কত মোৰ গৃহিণী সুপকাৰ; আৰু ময়েই ছোট চাহাব, ময়েই মেনেজাৰ, ময়েই একাউণ্টেণ্ট্, ময়েই কেৰাণী ইত্যাদি। অৰ্থাৎ বঙ্গলা ভাষাত কবৰ দৰে "জুতো সেলাই থেকে চণ্ডীপাঠ পৰ্য্যন্ত।" এদিনলৈকে তেনে কাৰ্য্যত মোৰ আৰু মোৰ গৃহিণীৰ মনত বিৰক্তিৰ ভাব নুপজিছিল। তাৰ কাৰণ, বি. বৰুৱা আমাৰ নিৰহ-নিপানী ভাই, তেওঁৰ ব্যৱ-সায়েই আমাৰ ব্যৱসায়, তেওঁৰ মঙ্গলেই আমাৰ মঙ্গল। মুঠতে, ভোলানাথ আৰু লক্ষ্মীনাথ হৰি-হৰ আত্মা। বাস্তৱিকতে ব্যৱসায়ত অসমীয়াৰ নাম কলিকতাৰ ফালে সৰ্ব্বতোভাৱে যাতে ডাঙৰ হৈ উঠে, এয়েই আছিল মোৰ মনৰ প্ৰবল আকাঙ্ক্ষা।

ওপৰত গাংপুৰৰ কথা উল্লেখ কৰি আহিছোঁ। সেইকালত এইফালৰ উড়িয়া ৰজাবোৰ ইংৰাজ আমোলৰ সভ্যতাৰ হিচাপৰ চাপত সিমানকৈ উঠা নাছিল। তেওঁলোকৰ যদিও ইংৰাজ আৰু বাইকে বঙ্গালীক অনুকৰণ কৰিবলৈ চেষ্টা দেখা গৈছিল, তথাপি তেওঁলোক অনেক তলত পৰি আছিল। আজি-কালি অৱশ্যে সেই অৱস্থাৰ সলনি হৈ আহিছে। গাংপুৰৰ ৰজাৰে সৈতে যেতিয়া আমাৰ জনা-শুনা হল, আৰু তেওঁৰ ষ্টেটৰ জঙ্ঘলত আমাৰ কাম চলিল,

ৰজাক আৰু তেওঁৰ পুতেকহঁতক তেওঁলোকৰ লগৰীয়া দল-বলেৰে সৈতে বি. বৰুৱাৰ ইচ্ছা, ৰজাক ভালকৈ বশ কৰাটো, আৰু ৰজাক ৰাজকুমাৰবোৰেৰে সৈতে বৰ্ত্তমান প্ৰণালীৰ সভ্যতা শিকোৱা। সেই কাৰ্য্যৰ ভাৰ মোৰ আৰু মোৰ গৃহিণীৰ গাত পৰিছিল। মোৰ গৃহিণী ৰান্ধনি-ঘৰত আৰু মই বাহিৰত। আমি প্ৰাণ টাকি অতিথি-সেৱা কৰিছিলোঁহক। ৰজাৰ পুতেক এজাক। ৰজাৰ বৰপুতেক, মাজু পুতেক, বৰমাজু, সৰুমাজু ইত্যাদি। বৰপুতেক যুৱৰাজক "টিকায়েৎ" বোলা হৈছিল। তাৰ পিছত এজন এজনকৈ এনেবোৰ নাম যথা,—"মাজুনুনু", "ভুল-কুনুনু" ইত্যাদি অনেক "নুনু"। মূৰত গুণাৰ বন-কৰা মখমলৰ টুপি, গাত গুণাৰ বন-কৰা মখমলৰ চোলা আৰু ঠেঙাৰে সৈতে ৰজাই সন্তানবৃন্দেৰে পৰিবৃত হৈ যেতিয়া প্ৰথমতে আমাৰ গোপীকৃষ্ণ লেনৰ ঘৰত প্ৰবেশ কৰিলেহি, আমাৰ ওচৰ-চুবুৰীয়া বঙ্গালীসকলে উদগ্ৰীৱ হৈ আমাৰ ঘৰৰ ফালে দৃষ্টিপাত কৰিবলৈ ধৰিলে। তেওঁলোকৰ গৃহৰ অঙ্গনাসকলে ঘৰৰ খিৰিকীৰ জিলমিলি ঘনে ঘনে মেলি আৰু জপাই, জপাই আৰু মেলি জুমি জুমি নেত্ৰপাত কৰিবলৈ ধৰিলে। ল'ৰা-ছোৱালীৰ ভিতৰৰ ডাঙৰ-বোৰে সৰুবোৰক এইদৰে কোৱা মোৰ কাণত পৰি-ছিল, "আৰে ভাই পচা! দেখছিস্ না, এটা যাত্ৰাৰ দল। আজকে এদেৰ বাড়ীতে যাত্ৰা হবে! হৈ হৈ ব্যাপাৰ ৰৈ ৰৈ কাণ্ড হবে। আজ ৰাত্ৰে দেখা যাবে এখন।"

এই সকলোবোৰকে খুৱাই-বুৱাই মই লগত লৈ দিনৌ কলিকতাত দেখুৱাৰ লগীয়া ঠাইবোৰ দেখুৱাই ফুৰিছিলোঁ। বছৰি এনেকুৱা "উৎসৱ" তিনি চাৰি বাৰকৈ সম্পাদিত হৈছিল।

"Out of evil cometh good" বুলি এষাৰ ইংৰাজী প্ৰৱচন আছে। গৃহিণীৰ বিশাল বিপুল ৰন্ধন-কাৰ্য্যৰপৰা এটা ডাঙৰ উপকাৰ হল। তেওঁৰ দ্বাৰায় "আমিষ ও নিৰামিষ আহাৰ" নামৰ বৰ বৰ তিনি "ভলিউম" অৰ্থাৎ তিনিখণ্ড ৰন্ধা-বঢ়াৰ কিতাপ ৰচিত হল। আজিও গোটেই বঙ্গদেশত সেই কিতাপ প্ৰচলিত। তাৰ আগেয়ে তেনে কিতাপ বঙ্গদেশত নাছিল বুলিলেই হয়। তাৰ আগতে বিপ্ৰদাস মুখুৰ্জ্জী নামেৰে এজনে "পাক-প্ৰণালী" নামেৰে সৰু কিতাপ এখন ৰচনা কৰিছিল যদিও "আমিষ ও নিৰামিষ" কিতাপেৰে সেইখনৰ তুলনাই নহয়।

আমি গোপীকৃষ্ণ পাল লেনৰ ঘৰত থাকোঁতেই, আমেৰিকাৰপৰা ডাক্তৰ গোলাপচন্দ্ৰ বেজবৰুৱা (Dr. G. C. Bezbaroa) আহি আমাৰ লগতে কিছু দিন আছিল। তাৰ পিছত তেওঁ S. S. Mersey নামৰ জাহাজত, কলিকতাৰে গাৰ্ডেন ৰিচপৰপৰা কুলীৰ তত্ত্বাৱধায়ক ডাক্তৰ-স্বৰূপে কুলী লৈ আকৌ আমেৰিকালৈ যায়। প্ৰায় এবছৰ কি ডেৰ বছৰৰ মূৰতহে তেওঁ বিলাতেদি ঘূৰি আকৌ আমাৰ লগলৈ আহে। অৱশ্যে তেতিয়া আমি গোপীকৃষ্ণ পাল লেনৰ ঘৰত থকা নাছিলোঁ। তাৰপৰা ২৭ নম্বৰ বলৰাম দে ষ্ট্ৰীটৰ ঘৰ এটালৈ উঠি আহি, তাতে এবছৰমান থাকি হাওড়ালৈ উঠি গলোঁ।

সপ্তম অধ্যায়

গোপীকৃষ্ণ পাল লেনৰ ঘৰৰপৰা আমি বলৰাম দে ষ্ট্ৰীটৰ ঘৰ এটালৈ উঠি গলোঁ। এইটো ঘৰও আহল-বহল আৰু ডাঙৰ আছিল। তাত থাকোঁতে আমি সৰু গাড়ী এখন আৰু ঘোঁৰা এটা কিনি ললোঁ; নিজৰ গাড়ীত উঠি অফিচলৈ যোৱা, আৰু অলৈ-তলৈ গৈ গা ফুৰোৱাত মনটোত কেনে সুত লাগি যায় তাৰ প্ৰথম সোৱাদ মই লবলৈ পালোঁ। মই প্ৰথমদিনাখন গাড়ীত উঠি যাওঁতে কচোৱানটোৱে যেতিয়া মূৰত ডাঙৰ পাগুৰি মাৰি আৰু পাগুৰিটোৰ আগফালে গাড়ীৰ গৰাকীৰ নাম থকা পিতলৰ বৰ আখৰ লগাই, দীঘল চাপকন-চোলা আৰু ঠেঙা পিন্ধি হাতত চাবুক লৈ ঘোঁৰা চলাইছিল; আৰু চহিচ-টোৱে গাড়ীৰ পিছফালে হাকোটাত ধৰি থিয় হৈ, তেনেকুৱা পিতলৰ বৰ-আখৰ পাগুৰিত লগাই, গাত কোট, কঁকালত ছালৰ কমৰবন্ধ মাৰি, তলডোখৰত থকা পটলুং আৰু আঁঠুৰ তলৰপৰা সৰু গাঁঠিলৈকে কাপোৰৰ পটি বান্ধি, "হেৎ ঐ চগবৰালা! তফাৎ যাও!" বুলি কলিকতাৰ বাটত মুহুৰ্মুহুৰ বিস্তিয়াই গৈছিল, তেতিয়া মই মনত স্বৰ্গলৈ যোৱা জখলাটোৰ কোনটো ওখ চাপত উঠি আছিলোঁ, কব নোৱাৰোঁ। বাটত যাওঁতে থাকি থাকি মোৰ মনত খেলাইছিল "চিনাকি মানুহ লগ নাপাওঁ কিয়?" মোৰ মনৰ প্ৰসন্নতাবৰ্দ্ধক গাড়ী-ঘোঁৰাৰ কিবা যে বৈশিষ্ট্য আছিল এনে নহয়, তেনে গাড়ী-ঘোঁৰা কলিকতাৰ বাটত হেজাৰ বিজাৰ ঘূৰি ফুৰিছে, যাইকৈ অফিচ অঞ্চলত।

ক'বলৈ থাকি আছিল যে আমি গোপীকৃষ্ণ লেনত থাকোঁতেই মোৰ প্ৰথমজনী ছোৱালী হয়। তাইৰ নাম থোৱা হৈছিল সুৰভি। সুৰভিৰ জন্মৰ কিছু দিনৰ আগতে মোৰ দেউতাৰ টান নৰিয়াৰ কথা শুনি মোৰ গৃহিণীক তেওঁলোকৰ যাই ঘৰ জোড়াসাঁ-কোতে থৈ মই শিৱসাগৰলৈ গলোঁ। মই শিৱসাগৰত মাখোন দহ-বাৰদিনহে আছিলোঁ। এনেতে আমাৰ ব্যৱসায়ৰ কোনো এটা জৰুৰী কামৰ নিমিত্তে শ্ৰীযুত ভোলানাথ বৰুৱাই মোক মাতি পঠিয়ায়। মই

পিতৃদেৱতাক টেলিগ্ৰাফটো দেখুৱাই নৰিয়া-পাটীতে এৰি বিদায় লৈ কলিকতালৈ উভতি আহিলোঁ। মই গুচি অহাৰ পিছতে পিতৃদেৱতাই নাৱেৰে কমলাবাৰী সত্ৰলৈ গল, আৰু তাতে কিছুদিনৰ পাছত ১৮৯৫ খ্ৰীষ্টাব্দৰ ২৭ মে তাৰিখে পৰলোকলৈ প্ৰয়াণ কৰে।

তেওঁ নিজ গুৰুৰ থান পুণ্যভূমি কমলাবাৰী সত্ৰত প্ৰাণ পৰিত্যাগ কৰিবৰ মনেৰেই গৈছিল। তাতে তেওঁ যোগীজন-সুলভ ইচ্ছামৃত্যু বৰণ কৰি তেওঁৰ নশ্বৰ দেহ পৰিত্যাগ কৰিলে। "Times of Assam" কাকতে তেওঁৰ মৃত্যুৰ বিষয়ে এইদৰে লেখিছিল,--

His calmness and resignation to the will of God were, no doubt noble and pathetic in the presence of his Guru. When he saw the King of Terrors approach, he was all resignation to the divine will and left this world in such a cheerful way as if he was going to visit a friend. He had his senses up to the last moment and performed all the rites that are necessary before the death of a devout Hindu. At last fixing his eyes towards Heaven he faintly repeated the prayer similar to "Unto Thy hands I commit my soul, for Thou hast redeemed me. O! Thou God of my salvation!" and then closed his eyes never to be opened again.

মোৰ গৃহিণী অকল ৰন্ধন-বিদ্যাতে নহয়, চিত্ৰ-বিদ্যাতো নিপুণা। সেই কালত তেওঁ অনেক তৈল-চিত্ৰ (oil painting) আঁকিছিল। portrait-painting অৰ্থাৎ মানুহৰ প্ৰতিকৃতি অঁকাতো তেওঁ নৈপুণ্য প্ৰকাশ কৰিছিল। পিতৃদেৱতাৰ ফটোগ্ৰাফ এখন চাই তাৰেপৰা পিতৃদেৱতাৰ এখন তৈলচিত্ৰ (oil painting) ডাঙৰকৈ (enlarge) কৰি তেওঁ আঁকিছিল। সেই ছবিখন মই শিৱসাগৰলৈ যাওঁতে লগত লৈ গৈছিলোঁ। পিতৃদেৱতাক বোৱাৰীয়েকৰ ভক্তি উপহাৰৰ চিন-স্বৰূপে এখন বহুমূলীয়া বেনাৰছী ছিল্কৰ চুৰিয়াৰে সৈতে সেই ছবিখন দিছিলোঁ। সেই উপহাৰ পাই পিতৃদেৱতাই বৰ সন্তোষ মনেৰে বোৱাৰীয়েকক আশীৰ্ব্বাদ দিবলৈ ধৰিলে। তেওঁ নৰিয়া গাৰেই গা ধুই উঠি সেই বানাৰছী পাটৰ চুৰিয়াখন আনন্দেৰে পিন্ধি, আমাৰ গোসাঁইঘৰত নাম-প্ৰসঙ্গত বহিছিলগৈ। ছবিখন দেউতাই আমাৰ চ'ৰাঘৰৰ বৰ খুটা এটাত ভালকৈ আঁৰাই থোৱালে। সেই ছবিখন আজিলৈকে আমাৰ শিৱসাগৰৰ ঘৰত কিজানি আছে; কাৰণ আসাম সাহিত্য সন্মিলনীয়ে ১৮৫৩ শকৰ ১৩ পুহ ইংৰাজী ১৯৩১ ডিচেম্বৰত মোক দিয়া অভিনন্দন-পত্ৰ লবলৈ যেতিয়া মই শিৱসাগৰলৈ গৈছিলোঁ তেতিয়াও সেইখন মই তাত দেখি আহিছিলোঁ।

পিতৃদেৱতাৰ মৃত্যু ১৮৯৫ খ্ৰীষ্টাব্দৰ ২৭ মেইত হয় বুলি ওপৰত মই কৈ আহিছোঁ। ঠিক তাৰ এমাহৰ পাছত অৰ্থাৎ জুনত, জোড়াসাঁকোৰ ঘৰতে সুৰভি ওপজে। মই অৱশ্যে তেতিয়া আসামৰপৰা কলিকতালৈ উভতি আহিছিলোঁ। সেই ছোৱালী-টোৱেই মোৰ প্ৰথম কন্যা। নিজৰ লৰা-ছোৱালীক আনৰ লৰা ছোৱালীতকৈ ভাল দেখাটো মানুহৰ স্বভাৱ। সেইদেখি যদি মই কওঁ যে মোৰ ছোৱালীটো দিপ্লিপ্ আছিল, সেই কথাৰ মূল্য নাই। কিন্তু দেখাতো দহে যদি তাকে কয়, তেন্তে সেই কথাটো উৰাই দিবৰ উপায় নাই। সেই বাবেই মই দহৰ লগত মিলি কওঁ যে, সেই সময়ত জোড়াসাঁকোৰ ঠাকুৰ পৰিবাৰৰ ভিতৰত আৰু তেওঁলোকৰ সম্পৰ্কীয় কলিকতাৰ আন আন ঠাইত থকাসকলৰ ভিতৰতো তেনে দিপ্লিপ্ ছোৱালী নাছিল। যাইকে সেই দেখিয়েই সুৰভি সকলোৰে আতোল-তোল বস্তু হৈ মৰমৰ পাত্ৰ হৈ পৰিছিল। ঠিক পাঁচ বছৰ বয়সত সুৰভিৰ মৃত্যু হয়।

অলপ কালৰ ভিতৰতে তাই নিজৰ ৰূপৰ উপৰিও গুণৰ চিনাকি এনেকৈ দিছিল যে তাইক দেখাসকলে তাইৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈছিল। তাইৰ তিনি-চাৰি বছৰ বয়সতে ইংৰাজী Nursery Rhyme-অৰ ডাঙৰ কিতাপ এখন তাই মুখস্থ কৰি পেলাইছিল। তাৰ উপৰি আন আন অনেক ইংৰাজী কবিতা তাই পঢ়াৰ পিছত সুঁৱৰি অনৰ্গল মাতি যাব পাৰিছিল তাই "Twinkle, twinkle, little star" মাতোঁতে "টুনিকোল্ টুনিকোল্ লিটোল্ ষ্টাৰ" মাতিছিল; তথাপি, গোটেইটো কবিতা ক'তো খোকোজা নলগাকৈ মাতি গৈছিল। কোনো কাৰ্য্যৰ নিমিত্তে মানুহৰ শলাগ লওঁতে ইংৰাজীৰে "Thank you" বুলিবলৈ গৈ তাই "ফেঙ্ক ইউ" বুলিছিল। তথাপি সেই ভদ্ৰতাৰ কথাষাৰ তাই কেতিয়াও ব্যৱহাৰ কৰিবলৈ নাপাহৰিছিল। তাইৰ কথা-বাৰ্ত্তা অতি মিঠা, আৰু বয়সীয়া মানুহৰ দৰে সঙ্গত (sensible) আছিল। ভয় নামৰ বস্তুটোৰ সৈতে তাইৰ চিনাকি নহৈছিল। এদিন মোৰে সৈতে আঁৰি মাৰি সেইকণ ছোৱালীয়ে আমাৰ ঘৰৰ এটা ঘোৰ এন্ধাৰ খোটালিত পোন্ধৰ মিনিট সোমাই আছিল; এবাৰলৈকে কোনো প্ৰকাৰৰ ভয়ৰ লক্ষণ প্ৰকাশ কৰা নাছিল। সেই খোটালিত এনে আন্ধাৰ যে দিনতে চাকি নহলে তাত সোমাব নোৱাৰি আৰু চাকি নোহোৱাকৈ সোমালে ডাঙৰ মানুহৰ গা চমচামই যায়। সুৰভিয়ে মোৰে সৈতে আঁৰিত জিকি মোৰপৰা এটকা ৰূপ ঘটিলে। বিধিৰ নিষ্ঠুৰ বিধানত তেনেজনী ছোৱালীক তাইৰ পাঁচবছৰ বয়সতে মই হেৰুৱালোঁ। সুৰভিয়ে আমাৰ গোটেই হিয়াখনি জুৰি আছিল। তাই আমাৰ হৃদয় চূৰ্ণ-বিচূৰ্ণ কৰি আমাক

এৰি গুচি গল। তাইৰ গচ্-গতি দেখি সদায় মোৰ মনত চেৰাই আছিল—যে এনেকুৱা ছোৱালী এই পৃথিৱীত থাকিলে হয়। সুৰভি জীয়াই থকা হ'লে আজি তাইৰ ৪১ বছৰ বয়স হ'লহেঁতেন। সুৰভিৰ মৃত্যুত ঠাকুৰ পৰিয়ালৰ আৰু তেওঁলোকৰ সকলো বন্ধু-বান্ধৱৰ মুখ ক'লা পৰি গ'ল। সকলোৰে মনৰ ওপৰত যেন বিষাদৰ ক'লা কাপোৰ এখন পৰি গল। মোৰ শাহুপতি শ্ৰীযুত আশুতোষ চৌধুৰী (পিছত হাই কোৰ্টৰ জজ স্যাৰ আশুতোষ) ইমান গম্ভীৰ প্ৰকৃতিৰ মানুহ আছিল যে সুৰভিৰ মৃত্যুৰ বাতৰি শুনি তেওঁৰো চকুৰেদি সৰ্‌ সৰ্‌ কৰে লো বৈ যাবলৈ ধৰিলে। মূঠতে সুৰভি আছিল a poem, এটি কবিতা।

এদিন পুৱা দেখিলোঁ, সুৰভিয়ে সেপ চুকিব নোৱাৰা হৈছে। তেতিয়াই ডাক্তৰক মাতি আনিলো। ডাক্তৰে ডিঙিটো পৰীক্ষা কৰি চাই কলে ডিপ্‌-থিৰিয়া ৰোগ হৈছে। তেতিয়াই দৰব-জাতিৰ ব্যৱস্থা হ'ল। সেই কালত ডিপ্‌থিৰিয়া ৰোগৰ দৰব এণ্টিটক্সিন যে ওলোৱা নাছিল এনে নহয়; কিন্তু আমি যিজন ডাক্তৰক আমাৰ ঘৰুৱা চিকিৎসক (family physician) কৰি ৰাখিছিলোঁ, তেওঁ নজনাৰ বাবেই হওক, বা পাহৰাৰ বাবেই হওক, সেই দৰবটো আনি ব্যৱহাৰ কৰা নহ'ল। মই আৰু মোৰ গৃহিণীয়েও তেতিয়া, সেইটোৰ সম্বেদ নাজানিছিলোঁ। সেই একেদিনৰ ভিতৰতে নৰিয়া দোপতদোপে বাঢ়িবলৈ ধৰিলে। মই নিৰুপায় হৈ আবেলি সুৰভিক লৈ জোৰাসাঁকোলৈ গলোঁ। মোৰ আজিও মনত আছে, বাটত গাড়ীত যাওঁতে সুৰভি মোৰ কোলাতে মোৰাৰ কাষে মুখ কৰি বহিছিল। গঙ্গাৰ পুল (Howrah Bridge) পাৰ হওঁতেই, তাই মোক কলে "দেউতা, মই সমুখৰ ফালে বহোঁগৈ; তুমি বেয়া নাপাবা; মোৰ গাত চেঁচা বতাহ লাগিছে" এই বুলি তাই উঠি গৈ মোৰ কাষে মুখ কৰি সমুখৰ আসনতে বহিলগৈ। তাই অৱশ্যে হিন্দী ভাষাত মোক সেই কথা কৈছিল; কাৰণ হিন্দী আৰু অলপ ইংৰাজীৰ বাহিৰে তাই আন ভাষা নাজানিছিল। সেইডোখৰ কালত মই সম্পূৰ্ণ চাহাবী ৰোগগ্ৰস্ত আছিলোঁ, সেই দেখি হিন্দুস্থানী আয়া ৰাখি সুৰভিক সেই আয়াৰ হাতত দি হিন্দুস্থানী ভাষা শিকোৱাই কোৱাই আত্ম-প্ৰসাদ লাভ কৰিছিলোঁ। যাওক সেই কথা।

সেই ৰাতিয়েই জোৰাসাঁকোত সেই সোণৰ প্ৰতিমাটি হেৰুৱালোঁ। জীৱনত প্ৰথমতে আমি এই দাৰুণ শোক পালো। মাকৰ আৰু মোৰ হিয়া ভাগি টুকুৰাটুকুৰ হ'ল। ৰাতি শৰটো কোনে নি নিমতলা ঘাটত পুৰিলেগৈ আজিলৈকে মই কব নোৱাৰোঁ, কাৰণ মোৰ তেতিয়া একপ্ৰকাৰ অজ্ঞান অৱস্থা। সুৰভিক যমৰ বুকুত দি পিছদিনা পুৱায় আমি দুয়ো জোৰাসাঁকোৰপৰা আমাৰ হাওড়াৰ শূন্য ঘৰলৈ উভতি আহিলোঁ। আমাৰ মনৰ অৱস্থা বৰ্ণনাতীত।

এই পৰিবৰ্ত্তনশীল জগতত কোনো বস্তুৱেই সদায় উগ্ৰ হৈ নাথাকে। ইংৰাজীত কথৰ দৰে "Time is a great healer"। লাহে লাহে আমি অনেকখিনি স্বাভাৱিক অৱস্থাত পৰিলোহি। ভগৱদ-গীতা মোৰ জীৱনৰ সম্বল হ'ল। বাইকৈ গীতাৰ দ্বিতীয় অধ্যায়ৰ অষ্টাবিংশ শ্লোকটোৱে মোৰ মনটো ভালেখিনি থিৰ কৰিলে। শ্লোকটো—

> অব্যক্তাদীনি ভূতানি ব্যক্তমধ্যানি ভাৰত।
> অব্যক্তনিধনান্যেৱ তত্ৰ কা পৰিদেৱনা॥

> অৰ্থাৎ প্ৰাণীবোৰ আদিতে অব্যক্ত,
> মাজতে মাজতে ব্যক্ত অৰ্থাৎ প্ৰকাশিত;
> আৰু মৰি গলেও আকৌ অব্যক্ত হয়।
> এতেকে তাৰ নিমিত্তে শোক কিয়?

পূজনীয় ৺সত্যেন্দ্ৰনাথ ঠাকুৰৰ (ভাৰতীয়ৰ ভিতৰত প্ৰথম I. C. S. চিভিলিয়ান) জীয়েক শ্ৰদ্ধাস্পদা শ্ৰীমতী ইন্দিৰা দেৱীয়ে (বি. এ.), মই তলত তুলি দিয়া এই কবিতাটো সুৰভিৰ মৃত্যুত ৰচনা কৰি আমালৈ পঠিয়াই দিছিল,—

> সুৰভি ছিল তোমাৰ নাম,
> তাই বুঝি ফুলেৰ মতন
> সৌৰভ কৰিয়া বিতৰণ
> দুদিনে ত্যজিলে মৰ্ত্যধাম।
> সে সৌৰভ চিৰদিন-মাত্ৰ
> ৰহিল মোদেৰ এই ঘৰে,
> তুমি থাক দেৱতাৰ তৰে,
> অমল অমল পাৰিজাত।
>
> শ্ৰীইন্দিৰা দেৱী

সেই কালত আমি সম্বলপুৰত মাজে মাজে ফুৰিবলৈ আহিছিলোঁ। সম্বলপুৰৰ গৱৰ্ণমেণ্ট উকীল শ্ৰদ্ধাস্পদ ৺যোগেন্দ্ৰনাথ সেন এম. এ. বি. এল আৰু তেওঁৰ শিক্ষিতা সহধৰ্ম্মিণী কবি আৰু গ্ৰন্থকৰ্ত্ৰী ৺সৰোজ-কুমাৰী দেৱী আমাৰ বৰ বন্ধু আছিল। সেইদেখি তেওঁলোকৰ অনুৰোধত মাজে মাজে আমি সম্বলপুৰত ফুৰিবলৈ আহি তেওঁলোকৰ ঘৰতে আলহী হৈছিলোঁহক। মই সম্বলপুৰত ব্যৱসায়ৰ সম্পৰ্কে বসতি কৰিবলৈ অহাৰ এইটো অনেক আগৰ কথা। সৰোজকুমাৰী দেৱীয়ে সুৰভিক আগেয়ে দেখা নাছিল। মৃত্যুৰ পিছত সুৰভিৰ ছবি এখন দেখি, তেওঁ স্বইচ্ছাতে, তলত দিয়া কবিতাটো ৰচনা কৰি আমাক দিছিল।

চিত্ৰ-দৰ্শনে

সহসা বেসুৰো কৰি দুটি হৃদি-বীণা
কোন নন্দনেৰ বনে,
খেলিতে মলয়া সনে,
গিয়েছে সুৰভি মেয়ে ভুলিয়া আপনা।
এসেছিল পথ ভুলে,
মা বাপেৰ স্নেহ-কোলে,
সহসা ভেঙ্গেছে মোৰ খেলাৰ বাসনা।
তাই সে গভীৰ ৰাতে
গেছে স্বৰগেৰ পথে,
ধৰাৰ বাঁধন খুলি স্নেহেৰ কামনা।

কবে এই ধৰা পৰে,
পাৰিজাত শোভা কৰে,
সুৰভি কে লভে কোথা, এ যে শুধু ভুল।
ত্ৰিদিবেৰ শোভা-ৰাশি,
ধৰায় কে দেবে আসি,
দৰিদ্ৰ মানব বুকে আকাঙ্ক্ষা বিপুল।
সুখেৰ স্বপন-প্ৰায়,
চকিতে মিলায় হায়,
শুধু ভেঙ্গে দিয়ে গেল দুটি হৃদিকুল।

স্বৰ্গেৰ সুৰভি সে যে সুৰভিৰ প্ৰায়।
মধুৰ সুবাস ধাৰা,
দানিয়া জগতে সাৰা,
চলে গেছে মুগ্ধ কৰি মানব হিয়ায়
সুৰভি পৰশ কৰে,
কে কোথা পেয়েছে ভবে,
শুধু অনুভব কৰ শিৰায় শিৰায়।
স্মৃতিৰ নিৰালা ঘৰে,
জাগাইয়া অশ্ৰু ধৰে,
স্নেহ-মন্দাকিনী ধাৰে সিঞ্চিও তাহায়।

শ্ৰীসৰোজকুমাৰী দেবী

কৃষ্ণনগৰৰ যদু পাল মাটিৰ মূৰ্ত্তি আৰু "পেৰিচ-প্লাষ্টাৰ"ৰ মূৰ্ত্তি সজাত বৰ নিপুণ আছিল। তেওঁৰ হতুৱাই পেৰিচ প্লাষ্টৰেৰে মই সুৰভিৰ মূৰ্ত্তি (bust) এটা সজাইছিলোঁ। সুৰভিৰ ছবি এখন চাই যদু পালে সেই মূৰ্ত্তিটো সাজিছিল। মূৰ্ত্তিটো হুবহু হৈছিল। সেই মূৰ্ত্তিটো আজিও মোৰ চ'ৰাঘৰত (বৈঠকখানাত) আছে। মই বি. বৰুৱাৰ সৈতে হাওড়াৰ ডব্‌ছন ৰোডৰ ঘৰত থাকোঁতে, মন্দিৰৰ নিচিনা সৰু পকীঘৰ এটা সজাই সেই মূৰ্ত্তিটো তাতে থৈ দিছিলোঁ। মই যেতিয়া বি. বৰুৱাৰ লগৰপৰা ফাটি সুকীয়াকৈ বোজমেৰি লেনত ঘৰ এটা কিনি থাকিবলৈ আহিলোঁ, সেই মূৰ্ত্তিটো ডবছন ৰোডৰ ঘৰৰ পৰা তালৈ লৈ আহিলোঁ; আৰু মই অহাৰ পিছতে সেই ক্ষুদ্ৰ মন্দিৰটো বি. বৰুৱাই ভঙাই মাটিৰে সৈতে সমান কৰি পেলালে।

অষ্টম অধ্যায়

মাণিকচন্দ্ৰ বৰুৱা কোম্পানীৰ ভোলানাথ বৰুৱাই গুৱাহাটী পৰিত্যাগ কৰি আহি কলিকতাতযে কাঠৰ ডাঙৰ ব্যৱসায় কৰিছে, সেই খবৰটো কণাকণি হৈ আসামত ওলালগৈ। শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱাৰ ব্যৱসায়ত শ্ৰীযুত ভোলানাথ বৰুৱা যদিও দেখা-শুনাকৈ অংশীদাৰ (partner) নাছিল, তথাপি তেৰেঁা সেই কোম্পানীৰ সম্পৰ্কত থকা মানুহ, তেওঁৰ এতিয়া ধন হৈছে, সেই দেখি তেওঁক ধৰিব পাৰিলেই কোম্পানীৰ পাওনাদাৰসকলৰ টকা ওলাব, ইয়াকে ঠাৰৰ কৰি, পাওনাদাৰসকলে শ্ৰীযুত ভোলা-নাথ বৰুৱাকো সাঙুৰি আদালতত টকা ডিগিৰি কৰালে। শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱাৰ হাতত টকা নাই; কিন্তু শ্ৰীযুত ভোলানাথ বৰুৱাৰ হাতত আছে; কাৰণ ভোলানাথ বৰুৱাই কলিকতাত নকৈ ব্যৱসায় কৰি টকা-কড়ি কৰিছে; এতেকে সেই ডিগিৰিটো কলিকতালৈ "ট্ৰেন্সফাৰ" কৰি অৰ্থাৎ তুলি আনিব পাৰিলেই ভোলানাথ বৰুৱাৰপৰাই সমুদায় টকাটো উলিয়াই লব পৰা যাব, এই মতলব পাওনাদাৰবোৰে পাতিবলৈ ধৰিলে। স্কেলেন (Scallan) নামৰ এংগ্লো-ইণ্ডিয়ান এজনে সেই পাওনাদাৰবোৰৰ পৰা মাজতে কিছু টকা ঘাটিবৰ মন কৰি এই বিষয়ত তৎপৰ হৈ উঠিল। স্কেলেন গুৱাহাটীলৈ গৈ সংবাদদাতা-স্বৰূপে ষ্টেট্‌ছমেন্ কাকতত এটা "পেৰেগ্ৰাফ" উলিয়ালে—তাত শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱাৰ দেনাৰ হিচাপ দি, শ্ৰীযুত ভোলা-নাথ বৰুৱাৰ নামটোও উল্লেখ কৰি দিলে। অসমত ৰাষ্ট্ৰ হৈ গল যে ভোলানাথ বৰুৱাই মাণিকচন্দ্ৰ বৰুৱা কোম্পানীৰ টকা লৈ আহি, সেই কোম্পানীক "ফেল" কৰি নিজে কলিকতাত ব্যৱসায় কৰি-ছেগৈ। বৰুৱা কোম্পানীৰপৰা ভোলানাথ বৰুৱাই টকা লৈ আহিছিলনে নাই, আৰু সেইৰাবে সেই কোম্পানী ফেল হৈছিলনে নাই, এই বিষয়ে কোনো ভু মই নাপাইছিলোঁ আৰু লোৱাও নাছিলোঁ। আজি-লৈকে সেই বিষয়ে মই একো নাজানোঁ, আৰু জানিবৰ আকাঙ্ক্ষাও মোৰ হোৱা নাই। বি. বৰুৱাই সেই কথা অস্বীকাৰ কৰি নিজেই মোক যি কৈছিল সেয়ে মোৰ পক্ষে যথেষ্ট হৈছিল বুলি মই বিবেচনা কৰিছিলোঁ; কাৰণ তেতিয়া তেওঁৰ ওপৰত মোৰ অগাধ বিশ্বাস; তাৰ উপৰি তেওঁ মোৰ সহোদৰ ভাই স্থানীয়। তেওঁক মই যেনেকৈ

দেখিছিলোঁ, তেনেকৈয়ে নিজৰ মানুহ যেন বিবেচনা কৰি সাবৰি লৈছিলোঁ। তেওঁৰ সম্মান ৰক্ষা কৰাটোৱেই মোৰ প্ৰথম আৰু প্ৰধান কাৰ্য্য বুলি মই ভাবিছিলোঁ; আৰু তাৰ অৰ্থে সততে মই যত্নশীল হৈ আছিলোঁ।

বি. বৰুৱা বেঙ্গল-নাগপুৰ লাইনৰপৰা মাজে মাজেহে কলিকতালৈ আহিছিল; আৰু আহিলে এদিন বা দুদিনতকৈ সৰহ দিন নাথাকিছিল। কলিকতাৰ সকলোবোৰ কাৰ্য্য দেখাৰ ভাৰ আছিল মোৰ গাত। কলিকতাত সদায় তেওঁ একপ্ৰকাৰে মোৰ গাৰ আঁৰত থাকি চলিছিল। আমাৰ ব্যৱসায়ৰ সকলো টকা-কড়ি বেঙ্কত মোৰ নামে থোৱা হৈছিল। কেইবাটাও বেঙ্কত টকা থোৱা হৈছিল, যেনে—Credit de Lyoniese, National Bank, Calcutta Bank, Hindusthan Bank, Hongkong & Shanghai Banking Corporation, ইত্যাদি। ওপৰত নাম দিয়া গোটাদেক বেঙ্কৰ অস্তিত্ব আজিকালি নাই। বেঙ্কৰ সকলোবোৰ কাৰ্য্যকে মই কৰিছিলোঁ। বি. বৰুৱাৰ অনুৰোধত মই মোৰ বেজবৰুৱা (Bexbaroa) উপাধিৰ বৰ্ণ-বিন্যাস (Spelling) সলাই এল্. এন্. বি. বৰুৱা কৰিছিলোঁ, যেনে L. N. B. Boroah। বি. বৰুৱাৰ সহোদৰ ভাইৰ বেজবৰুৱা উপাধি কেনেকৈ হব? এইটো প্ৰশ্ন যাতে ব্যৱসায়-ক্ষেত্ৰত নুঠে, আৰু যাতে আমাক জনাশুনা বঙ্গালী আৰু য়ুৰোপীয়-সকলৰ মনত কোনো সন্দেহ নোপজে, তাৰ দিহা এইদৰে কৰা হৈছিল। মই ব্যৱসায় সম্পৰ্কে কাকত-পত্ৰত প্ৰথমতে L. N. B. Boroah & Co. চহী কৰিবলৈ ধৰিলোঁ। মোৰ শহৰৰ ঘৰৰ নিতান্ত আপোন মানুহ কেইজনৰ বাহিৰে, আনে নাজানিছিল যে শ্ৰীযুত ভোলানাথ বৰুৱাৰ সৈতে মোৰ ৰক্তৰ সম্পৰ্ক নাই। শহৰৰ ঘৰৰ সেইসকলে আমাৰ দুইৰো ভিতৰত তেনে মিলা-প্ৰীতি আৰু চেনেহৰ ব্যৱহাৰ দেখি ভিতৰি সন্তোষ পাই বৰং আনন্দ প্ৰকাশ কৰিছিল। বি. বৰুৱাই অকল আচৰণেৰেই নহয়, মুখৰ কথাৰেও সকলোৰে আগত তাকে সম্পূৰ্ণৰূপে সমৰ্থন কৰি চলিছিল। আন কি, Jardine Skinner Companyৰ পৰা আৰম্ভ কৰি সকলোৰে আমাৰ দুয়োৰো ভিতৰত সম্পৰ্কটো তেনেকুৱা বুলিহে খিবাংকৈ জানিছিল। বি. টি. টি. কোম্পানীৰ কলিকতা অফিচৰ বৰচাহাব মিষ্টাৰ জে. আৰ. ষ্টুৱাৰ্টে (J. R. Stewart) দেখা হলেই মোক সুধিছিল, "How is your brother? When is he coming to Calcutta?" ইত্যাদি। কতবাৰ ব্যৱসায়-ক্ষেত্ৰত বি. বৰুৱাই নিজ মুখেৰেই কোৱা মই শুনিছিলোঁ—"আমি দুই ভাইহে মাথোন।"

আমি গোপীকৃষ্ণ পালৰ লেনত আৰু বলৰাম দে ষ্ট্ৰীটত থাকোঁতে, আন কি. হাওড়াত ঘৰ কিনি লৈ থাকোঁতে, তাতো প্ৰথম ডোখৰত বি, বৰুৱাই অসমৰপৰা অহা, তেওঁৰ সম্পৰ্ক থকা বা নথকা কোনো অসমীয়া মানুহেৰে সৈতে দেখা নকৰিছিল; আন কি তেওঁক বিচাৰি আমাৰ ঘৰলৈ সেই মানুহ আহিলেও তেওঁ দেখা নকৰিছিল। তেওঁৰ ককাই-দেৰেক শ্ৰীযুত হেমকান্ত বৰুৱা আমি বলৰাম দে ষ্ট্ৰীটত থাকোঁতে দুবাৰ নগাঁৱৰপৰা তেওঁক চাবলৈ আহিছিল। বি. বৰুৱাই তেওঁক দেখা নিদি মোৰ হতুৱাই কলিকতাৰ কালীঘাটত ঘোৱাই কথাবাৰ্ত্তা কোৱাই, অলপ ধন-বিত্ত দিয়াই ওভোতাই পঠিয়াই দিছিল। হেমকান্ত বৰুৱাৰ পুতেক তেওঁৰ নিজা ভতিজাকসকলৰ প্ৰতিও তেওঁ কলিকতাত তেনে আচৰণকে কৰিছিল। সকলো সময়তে তেওঁ মোৰ আঁৰত থাকি, দূৰৰপৰা মোৰ হতুৱাই তেনেকুৱা সকলো লেঠা মৰাই চলিছিল। মোৰ লাভৰ ভিতৰত, তেওঁৰ বংশৰ সকলোৱে ভাবিছিল যে মহা স্বাৰ্থপৰ মহা ধূৰ্ত্তং এই লক্ষ্মীনাথ বেজবৰুৱাৰ কুপৰামৰ্শ শুনিহে ভোলানাথ বৰুৱাই তেওঁলোকৰে সৈতে তেনে ব্যৱহাৰ কৰিছিল। ঈশ্বৰ সাক্ষী, মই সমূলি নিৰ্দ্দোষী আছিলোঁ। বৰং মই তেওঁৰ তেনে কাৰ্য্যত, তেওঁৰ নিৰ্দ্দেশ অনুসৰি চলিবলগীয়া হোৱাত বৰ আতুকাল আৰু অস্বস্তিহে অনুভৱ কৰিছিলোঁ। অসমৰপৰা কলিকতালৈ অহা প্ৰায় সকলোবোৰ মানুহৰ প্ৰতি, ঘাইকৈ গুৱাহাটীৰ, তেওঁৰ ব্যৱহাৰ তেনেকুৱাই আছিল। এক মাথোন ব্যতিক্ৰম ঘটিছিল শ্ৰীযুত বলিনাৰায়ণ বৰাৰ ভায়েক হৰনাৰায়ণ বৰাৰ আৰু আন দুজন-এজনৰ বেলিকা। তেওঁ তেনেকৈ চলাৰ আচল কাৰণটো যদিও তেওঁ নানা কৌশলেৰে ঢাকি থবলৈ চেষ্টা কৰিছিল, তথাপিযে মই বুজা নাছিলোঁ এনে নহয়। বুজিও, মোৰ অতি বুদ্ধিৰে সেই জ্ঞানৰ ওপৰত মৰ্ত্তাৰ বৰকাপোৰ এখন দি তাক ঢাকি থৈ পোন পটিয়েদি ভাবি মহা সুখ লভিছিলোঁ যে যদিও সেইটোও এটা কাৰণ, তথাপি ঘাই কাৰণটো হৈছে—মোৰ প্ৰতি তেওঁৰ প্ৰগাঢ় ভ্ৰাতৃস্নেহ নামৰ প্ৰেমৰ প্ৰেৰণাত, সেই প্ৰেৰণাৰ চালনাত তেওঁ নিজ বংশৰ নিজা মানুহকো বিসৰ্জ্জন দি সেইদৰে চলিছে। কোনোবাই যদি এইখিনিতে মোক নাহেকৈ সোধে,—"বেজবৰুৱাদেও, মূৰ্খ গছত লাগেনে?" মই তেওঁক নমস্কাৰ জনাই কম, "গছত নালাগে দেও। কলিকতাৰ কলেজত লেখা-পঢ়া শিকি পণ্ডিত হৈ সেইজন তেওঁৰ আগতে থিয় দি আছে; আৰু সেইজনৰ নাম লক্ষ্মীনাথ বেজ-বৰুৱা।" মূঠতে, বিষ্ণুশৰ্ম্মা পণ্ডিতৰ সগোত্ৰ লক্ষ্মীনাথ শৰ্ম্মা নামৰ পণ্ডিতজন ভেটিয়া সপ্তম স্বৰ্গত উঠি বহি আছিল।

ওপৰত কৈ আহিছোঁ যে কালীকৃষ্ণ প্ৰামাণিকৰ কেলেডনীয়া ডকৰ এছিষ্টেণ্ট মেনেজাৰ বাবু অতুলকৃষ্ণ ঘোষেৰে সৈতে আমাৰ, বিশেষকৈ মোৰ খুব বন্ধুত্ব হৈছিল, আৰু সেই বন্ধুত্বই প্ৰীতিত পৰিণত হৈছিলগৈ। তেওঁ কেনে ওখ মনৰ আৰু উদাৰ প্ৰকৃতিৰ মানুহ আছিল সেইটোবো উল্লেখ ওপৰত কৰি আহিছোঁ। এদিন গধূলি শ্ৰীযুত ভোলানাথ বৰুৱা আৰু মই আমাৰ ঘৰৰ গাড়ীত উঠি, মোৰ স্ত্ৰী সুৰভিক লগত লৈ অতুল বাবুৰে সৈতে দেখা কৰিবলৈ তেওঁৰ হাওড়াৰ ঘৰলৈ গৈছিলোঁ। হাওড়াত কেলেডনীয়া ডকৰ ওচৰতে অতুল বাবুৰ ঘৰ। বি. বৰুৱাক সুৰভিয়ে “জেঠা” বুলি মাতিছিল। অতুল বাবু যেতিয়া আমাৰ ঘনিষ্ঠৰূপে বন্ধু হল, সুৰভিয়ে তেওঁকো “হাওড়াৰ জেঠা” বুলি সম্বন্ধ ধৰি মাতিবলৈ ধৰিলে। অতুল বাবুৱে সুৰভিক বৰ মৰম কৰিছিল। সেইদিনা আমি অতুল বাবুৰ ঘৰত কিছু পৰ থাকি তেওঁৰ সৈতে কথা-বাৰ্ত্তা পাতি আঁতাই, পদূলি-মুখত ৰৈ থকা আমাৰ গাড়ীত যেতিয়া উঠিবলৈ গলোঁ, অতুল বাবুৱেও আগবঢ়াই থ'বলৈ লগতে আহিছিল। আমি ঠিক গাড়ীত উঠিবলৈ গৈছোঁ, এনেতে হঠাৎ সুৰভিয়ে অতুল বাবুক কলে, “দেখ, হাওড়াৰ জেঠা! হাওড়াটা আমাৰ ভাল লাগে। কলকতা আৰু ভাল লাগছে না। তোমাৰ বাড়ীৰ কাছেই আমাদেৰ জন্য একটা বাড়ী কিনে নাও; আমৰা হাওড়ায় চলে আসব।” সেই চাৰিবছৰীয়া ছোৱালীজনীৰ কথা শুনি অতুল বাবু অবাক্ হল। আমি আচৰিত মানিলোঁ। অতুল বাবুৱে তাইৰ গাত হাত ফুৰাই মৰম কৰি কলে, “মা, আমি নিশ্চয় বলছি, আমাৰ বাড়ীৰ কাছেই একটা বাড়ী ঠিক কৰে দিব। দিন সাতেকেৰ মধ্যেই।” আমি গাড়ীত উঠি গুচি আহিলো। বাটত আহোঁতে বি. বৰুৱাই সুৰভিক সুধিলে, “হঠাৎ সেইদৰে অতুল বাবুক কবলৈ তোমাৰ মনত কেনেকৈ খেলালে?”

সুৰভিয়ে একো উত্তৰ নিদি মিচিক্ কৰে হাঁহি মনে মনে থাকিল।

অতুল বাবু হাওড়াত প্ৰতিপত্তিশালী (Influential) আৰু জনপ্ৰিয় মানুহ আছিল। কি য়ুৰোপীয়, কি ভাৰতীয় সকলোৱে তেওঁক শ্ৰদ্ধা কৰিছিল আৰু ভাল পাইছিল। সঁচাকৈয়ে সাদিনৰ ভিতৰতে তেওঁ আমালৈ ৩৭ নম্বৰ ডবছন ৰোডৰ ঘৰটো ঠিক কৰিলে। প্ৰায় আঠৈ “একৰ” মাটিৰে সৈতে ডাঙৰ টোলেৰে সৈতে এক-মহলীয়া ঘৰটো দেখি আমাৰ বৰ মন যালে। ঘৰটো ডিক্সন (Mrs. Dickson) নামৰ এজনা মহিলাৰ। বাৰ হেজাৰ টকাত ঘৰটো কিনি লোৱা হল। বি. বৰুৱাৰ নামতে দলিল লেখা হল। সেইটো যাইকৈ মোৰ ইঙ্গিত। কাৰণ, বি. বৰুৱা আমাৰ ভিতৰত মুখ্য মানুহ আৰু মোৰ “বৰ ভাই”, আৰু বি. বৰুৱাও মই,ময়েই বি. বৰুৱা। অবিবাহিত বি. বৰুৱাৰ, মোৰ বাহিৰেতো আৰু কোনো নাই। এইভাৱেই তেতিয়া মোৰ গোটেইটো মন লোণত আচাৰৰ গোট টেঙাটো খৰাই খোৱাদি খৰাই থৈছিল।

ঘৰটো কিনা হলতে মই নৱালৰিকৈ গোটেইটো ঘৰ মেৰামত কৰাই, চূণ-কাম কৰাই, ৰৰণ দিয়াই শুনীয়া কৰি পেলালোঁ। এমাহৰ ভিতৰতে কলিকতাৰ বলৰাম দে ষ্ট্ৰীটৰ ঘৰ এৰি আমি তালৈ উঠি আহিলোহঁক। ১৯০০ খ্ৰীষ্টাব্দৰ এপ্ৰিল মাহত মানুহ-বিহুৰ দিনা তাত আদি ব্ৰাহ্ম সমাজৰ আচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ বিদ্যাৰত্নৰ হতুৱাই উপাসনা কৰাই বন্ধু-বান্ধৱেৰে সৈতে গৃহপ্ৰৱেশ উৎসৱ সমাপন কৰিলোঁ। তাৰ পিচত দিনকদিনে ঘৰটো আৰু তাৰ চাৰিওফালে ইটাৰ বেৰ (Compound wall), চাকৰ-নাকৰৰ ঘৰ, ঘোৰা-গাড়ীৰ ঘৰ, বহল বাটপথ, ফটক (gate) ইত্যাদিবোৰ কৰোৱাত লাগি গলোঁ। তিনি মাহৰ ভিতৰতে সি ৰম্যপুৰী হৈ উঠিল। Compound wall-অৰ ভিতৰতে সৰু পুখুৰী এটা আছিল, সেইটো পোতালোঁ। টেনিচ খেলিবলৈ “লন্ টেনিচ গ্ৰাউণ্ড” কৰালোঁ, দুকাষে বহিবলৈ বগা শিলৰ বেঞ্চ পতালো। ফুল আৰু ফলৰ বাগিচা কৰি জকমকীয়া কৰি পেলালোঁ। তাৰ এবছৰৰ পিছতে ঘৰটো দুমহলীয়া কৰি তাৰ আৰু উন্নতি সাধন কৰিলোঁ। সমুখতে মুকলি ঠাইত আৰু পকী ঘৰ এটা সজালোঁ, তাত বিলিয়াৰ্ড টেবোল থৈ বিলিয়াৰ্ড খেলিবৰ দিহা কৰিবৰ মনেৰে। মই তেতিয়া সদায় ইণ্ডিয়া ক্লাবত বিলিয়াৰ্ড খেলিছিলোঁগৈ। সেইদেখি নিজৰ ঘৰতে বন্ধু-বান্ধৱেৰে সৈতে সেই হেঁপাহ পলুৱাবৰ নিমিত্তে অতুল বাবুৰ পৰামৰ্শমতে সেই বিলিয়াৰ্ডৰ ঘৰটো সজোৱা হৈছিল। কিন্তু সেই ঘৰত আৰু বিলিয়াৰ্ড টেবোল নুঠিল, আৰু মোৰো সুহৃদৱৰ অতুল বাবুৰো তাত বিলিয়াৰ্ড খেলা নহল। আজিও হাওড়াত যি সেই ডবছন ৰোডৰ ঘৰটো দেখিছে সি বুজিব, বাৰ হেজাৰ টকাত কিনা সেই ঘৰটোৰ কি উন্নতি কৰি মই তাক প্ৰায় এক লাখ টকা বেচৰ সম্পত্তি কৰি থৈ আহিছিলোঁ। কোনো ঠিকাদাৰৰ হাতত মই ঘৰটোৰ বিষয়ে কোনো কাৰ্য্যকে দিয়া নাছিলোঁ। বদ-বতাহ মূৰত লৈ মই দিনে-ৰাতিয়ে পৰিশ্ৰম কৰি সেই কাৰ্য্য আনন্দ মনেৰে সমাপন কৰি তুলিছিলোঁ। আজিলৈকে সেই ঘৰৰ গাত, বাহিৰে-ভিতৰে, যি সৌন্দৰ্য্য বা দেখনিয়াৰ বস্তু আছে, সেই সকলোবোৰতে মোৰ হাতৰ এই পাঁচোটা আঙুলিৰ সাঁচ

আছে ; আৰু গোটেইটো ঘৰ ভাঙি চূৰ্ণ্ণৈ নকৰালৈকে সেই সাঁচ নমৰে।

নৱম অধ্যায়

১৯০০ খ্ৰীষ্টাব্দৰ ১৭ নৱেম্বৰত কলিকতাৰ জোড়াসাঁকোৰ ঘৰত মোৰ দ্বিতীয়জনী ছোৱালী শ্ৰীমতী অৰুণাৰ জন্ম হয়। সুৰভি তেতিয়া তাতে আছিল। অৰুণাৰ জন্মৰ পিছদিনা পুৱা মই জোড়াসাঁকোলৈ গলতে, লৰি আহি সুৰভিয়ে মোক কলে,—"চোৰাঁ-চোন দেউতা, ইয়াত সকলোৱে মোৰ ভনীটীক ক'লা বুলিছে। তুমি চাই যোৱাঁহি, তাই ক'লা নহয় ; মাথোন মোতকৈ অলপ কম বগা। মই এই কথাকে লৈ আজি পুৱাৰেপৰা সকলোৰে সৈতে দ্বন্দ্ব কৰি ফুৰিছোঁ।" মই সুৰভিৰ গালত হাত ফুৰাই মৰমকৈ তাইক কলোঁ, "মই চামগৈ এতিয়াই। আই তুমি বেজাৰ নেপাবাঁ ; তোমাৰ ভনীটী কেতিয়াও ক'লা হব নোৱাৰে।"

অৰুণা ওপজাৰ ওঠৰ দিনৰ দিনা ৰাতি ৪ ডিচেম্বৰত সুৰভিযে আমাক শোক-সাগৰত বুৰাই চিৰকাললৈ এৰি থৈ গুচি গ'ল!

ইংৰাজীত এটা কথা আছে, Nothing succeeds like success অৰ্থাৎ সিদ্ধিয়ে সিদ্ধিৰ পিছ লয়। এইদৰে কলে বঢ়াই কোৱা নহব যে আমাৰ ব্যৱসায় ন জোনৰ দৰে কলা-কলাকৈ দিনৌ বাঢ়ি আহিবলৈ ধৰিলে। কলিকতাত কাঠৰ ব্যৱসায় কৰোঁতা দেশী মানুহৰ ভিতৰত—কি মাৰোৱাৰী কি বঙ্গালী—আমাৰ ঠাই মুধচ ছোঁও-ছোঁও হলগৈ। বাবু গিৰীশ-চন্দ্ৰ বোসৰ কথা ওপৰত উনুকিয়াই আহিছোঁ। কলিকতাত কাঠৰ ব্যৱসায় কৰোঁতাসকলৰ ভিতৰত তেওঁৰ ঠাই তেতিয়া টিঙত আছিল। এতিয়া তেওঁকো আমি ঢুকি পাওঁ পাওঁ যেন হলোঁগৈ। ইংৰাজী ফাৰ্ম্ম জাৰ্দ্দিন স্কীনৰ কোম্পানীৰ ঘৰত আমাৰ প্ৰতিপত্তি দেখি গিৰীশ বাবুৰ বুকু কঁপি উঠিল। বৰ্ম্মা যুদ্ধৰ সময়ত ক্ৰোড়পতি হোৱা মাৰোৱাৰী ভগৱান দাস বগুলা তেতিয়া জীয়াই নাছিল। তেওঁৰ ফাৰ্ম্মৰো আগৰ প্ৰতিপত্তি কমি গৈছিল। চিমনুলাল গেন্ধেৰীৱালা, মতিলাল ৰাধাকিষণ প্ৰভৃতি মাৰোৱাৰী ফাৰ্ম্মো বি. বৰুৱা কোম্পানীৰ কাষত হাত পাতিব লগীয়া অৱস্থাত পৰিলহি। কালীকৃষ্ণ প্ৰামাণিকৰ ফাৰ্ম্মৰো চাল তেতিয়া ভাটী বয়সৰ ফালে। ঈশ্বৰৰ অনুগ্ৰহত যেতিয়া আমাৰ ফাৰ্ম্মে এনে সৌভাগ্যৰ অৱস্থাৰ ফালে বাট ল'লে, আমি দুয়ো পৰামৰ্শ কৰিলোঁ যে ব্যৱসায়ত, বিশেষকৈ চেগুণ কাঠৰ ব্যৱসায়ত বিশেষ পাৰদৰ্শী আৰু সকলো বিষয়তে অভিজ্ঞ, আৰু সকলোৰে শ্ৰদ্ধা আকৰ্ষণ কৰোঁতা বাবু অতুলকৃষ্ণ ঘোষক—যাৰ বিষয়ে আগেয়ে কৈ আহিছোঁ—যদি আমাৰ ফাৰ্ম্মলৈ আমি আনি লব পাৰোঁ, তেন্তে সোণত সুৱগা হোৱাদি হব ; আৰু কলিকতাত আমাক কোনেও বলে নোৱাৰে। ইয়াকে থিৰ কৰি মই অতুল বাবুৰ কাণত আমাৰ মনৰ কথাটো লাহে লাহে কুহলিযাবলৈ ধৰিলোঁ। আগেয়েই কৈ আহিছোঁ, যে মই অতুল বাবুৰ বিশেষভাৱে ভাল-পোৱাৰ পাত্ৰ হৈ পৰিছিলোঁ। ভোলানাথ, লক্ষ্মীনাথ এই "দুই ভাই"ৰ ওপৰত তেওঁৰ শ্ৰদ্ধা আৰু বিশ্বাসো বাঢ়ি আহিছিল। তেওঁ ভাবি-চিন্তি আমাৰ লগলৈ আহিবলৈকে সন্মত হ'ল। কালীকৃষ্ণ প্ৰামাণিকৰ ব্যৱসায়ো তেতিয়া পৰি অহাৰ ফালে। সেই দেখি আমাৰ প্ৰস্তাৱত সন্মত হবলৈ অতুল বাবুৰ বিশেষ বাধা নাছিল, কিন্তু তেওঁ চিৰকাল কালীকৃষ্ণ প্ৰামাণিকৰ চাউল খাই আহিছে ; সেই দেখি তেওঁলোকৰ খোলা মনেৰে দিয়া অনুমতি পোৱাটো তেওঁ অতি আৱশ্যকীয় বিবেচনা কৰিলে। কালীকৃষ্ণ প্ৰামাণিক আৰু তেওঁৰ পুতেককেইজন আমাৰো পৰম বন্ধু ; সেই নিমিত্তে আমিও তেওঁলোকৰ অনুমতিসাপেক্ষ হলোঁহঁক। বুঢ়া কালীকৃষ্ণ প্ৰামাণিক বৰ উদাৰ মনৰ মানুহ আছিল। নৈষ্ঠিক হিন্দুৰ সকলো কাৰ্য্য-কলাপ আৰু আচৰণত তেওঁৰ প্ৰগাঢ় অনুৰাগ আছিল। দেৱদ্বিজত তেওঁৰ অচলা ভক্তি। তেওঁৰ পিতৃদেৱতা তাৰকনাথ প্ৰামাণিকে নিজৰ ঘৰত এখন কাপোৰ পাতি তাৰ ওপৰত এক লক্ষ নিমন্ত্ৰিত ব্ৰাহ্মণৰ পদধূলি পেলোৱাই লৈ গোটাই সেই পদধূলি সোণৰ টেমা এটাৰ ভিতৰত ভৰাই থৈছিল ; আৰু সি তেওঁলোকৰ ঘৰত বহুমূলীয়া বস্তু বিবেচিত হৈ আজিও আছে। সেই ব্ৰাহ্মণৰ পদধূলি সকলো অশুভ বিধ্বংসকাৰী পৰম মঙ্গলময় বুলি তেওঁলোকে আজিও ভাবে। তেওঁৰ পুতেক কেইজনো উদাৰ মনৰ মানুহ আৰু সম্পূৰ্ণ ভদ্ৰ আছিল। তাৰ উপৰি তেওঁলোকে তেওঁলোকৰ বিস্তৃত ব্যৱসায় সামৰি আনি সৰু কৰিবৰ মনো কৰিছিল। সেই দেখি অতুল বাবুক এৰি দিয়াত, আৰু বিশেষকৈ আমাৰ লগলৈ এৰি দিয়াত, তেওঁলোকৰ বিশেষ আপত্তিৰ কাৰণ নোলাল। তেওঁলোকে আনন্দ মনেৰে অতুল বাবুক আমাৰ লগলৈ আহিবলৈ এৰি দিলে। অতুল বাবু আমাৰ লগলৈ অহাৰ কিছু দিনৰ আগেয়ে তেওঁ-লোকৰ চেগুণ কাঠৰ ব্যৱসায় বিভাগত থকা বাবু কিশোৰীমোহন সিংহ আমাৰ লগলৈ আহিছিল। কিশোৰী বাবু কাঠৰ ব্যৱসায় আৰু হিচাপ-পত্ৰৰ কিতাপ দস্তৰমতে ৰখাত বৰ নিপুণ আছিল। তেওঁক পাই আমাৰ সন্তোষৰ জোখ বাঢ়ি গল।

বি. এন্. আৰ. লাইনত কৰা আমাৰ শালকাঠৰ ব্যৱসায়ৰ বিস্তৃতি আৰু বিপুলতা বুজিব পাৰি তাৰ সাদিনীয়া (weekly) খৰচৰ টকাৰ হিছাপ শুনিলে। প্ৰত্যেক সপ্তাহতে মই কলিকতাৰপৰা তালৈ দহ-পোন্ধৰ হেজাৰৰ পৰা পঁচিশ-ত্ৰিশ হেজাৰ-লৈকে টকা পঠিয়াইছিলোঁ। সাধাৰণতে আমাৰ কেৰাণী বা বিশ্বাসী চাপৰাচীয়ে এই টকা লৈ গৈছিল। সৰহকৈ পঠাবৰ হলে মই নিজে সেই টকা লৈ গৈছিলোঁ। জঙ্ঘলৰ কাম গৱৰ্ণমেণ্ট-কৰেঞ্চি নোটেৰে নচলে। তেতিয়াও নচলিছিল, আজিও আন কি এই সম্বলপুৰতে নচলে। নোট ভঙাই টকা, আধলি, শিকি, আদমহীয়া আৰু পইচা কৰি নপঠিয়ালে কাম অচল, কাৰণ অশিক্ষিত জঙ্ঘলী কৰতীয়া, গাৰোৱান আৰু কুলীয়ে নোটৰ মূল্য নুবুজে। সপ্তাহে সপ্তাহে দহ-পোন্ধৰ হেজাৰ টকা ভৰাই লৈ গৈ ব্যৱসায় ক্ষেত্ৰত যোগোৱাটো কি মস্কিলৰ কথা, যাৰ সেইটো দেখা-শুনাৰ জ্ঞান নাথাকে সি ভালকৈ বুজিব নোৱাৰে। তাৰ উপৰি ৰেলত চোৰ-ডকাইতৰ ভীষণ ভয়, আজিকালি যেনেকৈ আছে, তেতিয়াও আছিল,—বৰং বেছিকৈহে। মই লগত এটিও জনপ্ৰাণী নোলোৱাকৈ, অৱশ্যে খৰচৰ ভয়ত ব্যয়-সঙ্কোচ (economy) কৰি মাহেকত দুবাৰ তিনিবাৰকৈ সেইদৰে বি. এন. আৰ. আমাৰ ব্যৱসায়ৰ ক্ষেত্ৰলৈ টকা লৈ গৈছিলোঁ। তেনে কাৰ্য্য কৰোঁতে দুবাৰ-এবাৰ যে মোৰ কোনো অঘটন ঘটা নাছিল, এনে নহয়,—অৱশ্যে serious অৰ্থাৎ মাৰাত্মক বিধৰ নহয়। এবাৰ ১৯০২ খ্ৰীষ্টাব্দৰ মাৰ্চ্চ মাহৰ ৮ তাৰিখে মই কুৰি হেজাৰ টকা সেইদৰে লৈ যাওঁতে, ঝাড়চোগোড়া ষ্টেচনত য'ত মই নামিব লাগিছিল, নামিব নোৱাৰি ৰায়গড় ষ্টেচন পাইছিলোঁগৈ। ৰাতি একমান বজাত ৰেলগাড়ী তেতিয়া ঝাৰচোগোড়া ষ্টেচন পাইছিলগৈ। মই ওৰে দিনটো গাড়ীত গৈ ভাগৰি টোপনিত লালকাল হৈ পৰিছিলোঁ। গাড়ী কেতিয়া ঝাৰচোগোড়া পালেগৈ মোৰ গমকে নহল। গাড়ীয়ে যেতিয়া ঝাৰচোগোড়া ষ্টেচন এৰি পোঁ কৰি দাঘলীয়া সুৰ ধৰি হুইচেল দিলে, তেতিয়াহে মোৰ টোপনি ভাগিল। মই খকব্-মকব্‌কৈ উঠি দেখিলোঁ, সৰ্ব্বনাশ! টকাৰ বাকচটোলৈ চাওঁ—সি নিস্কিৰিনিৰে আগৰ ঠাইতে বহি থাকি যেন মোৰ মুখৰ ফালে চাই কাঠ-হাঁহি হাঁহি কৈছে,—"বাপ্পে আজি পৰিলে ফান্দত! থাকা নাক ঘোৰ্ঘোৰাই বেঞ্চৰ ওপৰত চিত-ভোলোঙা খাই শুই!" অশান্তি-ব্যৰ্থতাত মোৰ মানসিক কষ্টৰ সীমা নোহোৱা হল। সিফালে ৰেল কোম্পানীক ফাঁকি দিবৰ মনেৰে "বুক" নকৰাকৈ লগতে এটা লোৰ পেৰাত (steel trunk) এপেৰা টকা। পেৰাটো টকাৰ ভৰত ইমান গধুৰ হৈছে যে, মই টানি-আঁজুৰি তাক লৰাব চৰাবকে নোৱাৰোঁ। নিৰুপায় হৈ ভাবি বহি আছোঁ। ডাকগাড়ী চেকুৰি গৈ পিছৰটো ষ্টেচন ৰায়গড়ত ৰলগৈ। ঝাৰচো-গোড়াৰপৰা ৰায়গড়লৈ প্ৰায় দুঘণ্টামানৰ বাট। তাত পাঁচ মিনিটৰ বেছি গাড়ী নাথাকে। সিফালে ৰাতি তিনিমান বাজিছে। ষ্টেচনত কুলী নাই। মই মৰোঁ। জীওঁ সোঁ আধিকৈ প্ৰাণৰ কাতৰে বল দি টকাৰ পেৰাটো টানি-আঁজুৰি চোঁচোৰাই নি কোনোমতে প্লেটফৰ্মত পেলাই নামি পৰিলোঁ। ষ্টেচন মাষ্টৰজন বঙ্গালী। মই মোৰ দুখ নিবেদন কৰি তেওঁৰ শৰণাপন্ন হলত, মোৰ প্ৰতি তেওঁৰ দয়া সম্পজিল। মোক যেনেমতে ৰাতিৰ ভিতৰতে ঝাৰচোগোড়ালৈ উভতি যাবৰ দিহা কৰি দিবলৈ মই তেওঁক খাটনি ধৰিলোঁ। তেওঁ মোক আশ্বাস দি কলে, যে এঘণ্টামানৰ পিছতে মালগাড়ী এখন ঝাৰচোগোড়াৰ ফালে যাব। তেওঁ সেই গাড়ীৰ ফিৰিঙ্গী গাড়জনক কৈ তাতে মোক পঠিয়াই দিব; আৰু কুলী এটাৰ হতুৱাই পেৰাটো মালগাড়ীতে মোৰ লগতে তোলাই দিব। সেইমতেই কাম হল। পিচদিনা পুৱা আঠমান বজাতহে মই ঝাৰচোগোড়া ষ্টেচনত ওলাব পাৰিলোঁহি। ঝাৰচোগোড়া ষ্টেচনত নামিহে, মোৰ মূৰটো গলধনৰ ওপৰত খিয় হৈ আছে নে নাই খেপিয়াই চাই জানিলোঁ যে আছে। সেই বাবে ঈশ্বৰক ধন্যবাদ জ্ঞাপন কৰি থকা ঠাইলৈ খোজ ললোঁ। ৰায়গড় ষ্টেচনত তেতিয়া জন-প্ৰাণীৰ সমাগম বেছি নাছিল। ঝাৰচোগোড়া আৰু ৰায়গড়ৰ মাজৰ বাটডোখৰত মানুহতকৈ লক্ষ কোটি গুণে সৰহ হাবি-বনৰ বসতিহে আছিল। নিজান আন্ধাৰ ৰাতি কোনোবাই মোক সেইদৰে এপেৰা ৰূপ লৈ অকলে যোৱা দেখি বাটতে ধৰি যদি, টকাৰ লোভত "সি কৰ্ম্ম" কৰিলেহেঁতেন, তেন্তে আজি চকী-মেজত বহি জীৱন-সোঁৱৰণ লেখিবলৈ এই দুখীয়া অসমীয়া লক্ষ্মীনাথ বেজবৰুৱা বপুৰা আৰু নাথাকিল-হেঁতেন।

মোৰ ডায়েৰী (diary) লেখা অৰ্থাৎ জীৱন-কাৰ্য্যৰ দৈনিক সংক্ষিপ্ত বিৱৰণ লেখা অভ্যাস বৰ চেলেংপেতেং। তথাপি মোৰ পুৰণি ডায়েৰীৰপৰা কিছুমান কথা চমুকৈ ইয়াত দিওঁ এই বাবে যে তাৰ দ্বাৰায় অলপ বুজিবলৈ সুবিধা হব, তেতিয়া আমাৰ ব্যৱসায় কেনে ডাঙৰ হৈ পৰিছিল, আৰু মোৰ জীৱন কেনে কাৰ্য্যময় আছিল।

১৮৯৯ খ্ৰীষ্টাব্দ ১৪ ফেব্ৰুৱাৰী—পুৱা বৰ-বজাৰৰ সূতাপটিলৈ গলোঁ। তাত দোকানীবোৰ সৈতে এই বন্দৱস্ত কৰিলোঁ। ইত্যাদি। আবেলি, কাইলৈ ক্ষীৰোদচন্দ্ৰ ৰায় চৌধুৰীৰ সৈতে স্বৰ্ণলতাৰ বিয়াৰ দিহা কৰা গল।

১৫ ফেব্ৰুৱাৰী—গধূলি স্বৰ্ণেৰে সৈতে (ৰায়-বাহাদুৰ গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ বিধৱা জীয়েক) ক্ষীৰোদ বাবুৰ বিয়ালৈ গলো। উপাসনাৰ পিছত বেজেষ্ট্ৰী হল। ময়ো এজন সাক্ষী হলোঁ। পুৱা, হাওড়াৰ শালিকিয়ালৈ গৈ—ইত্যাদি।

১৬ ফেব্ৰুৱাৰী— Credit Lyoniese বেঙ্কৰপৰা দহ হেজাৰ টকা আনিলোঁ, ঝাৰচোগোড়াৰ ব্যৱসায়ৰ খৰচৰ বাবে।

১৭ ফেব্ৰুৱাৰী—দহ হেজাৰ নগদ টকা লৈ পুৱা চাৰে আঠ বজাত ঝাৰচোগোড়ালৈ যাত্ৰা কৰি, ৰাতি ১১ বজাত ঝাৰচোগোড়া পালোঁগৈ। আচা-ক্কোললৈকে দ্বিতীয় শ্ৰেণীৰ গাড়ীত। তাৰপৰা ইণ্টাৰত। (তেতিয়া সেইদৰে যুৰিহে ঝাৰচো-গোড়ালৈ যাব পৰা আছিল।)

১৮ ফেব্ৰুৱাৰী—ঝাৰচোগোড়াত।

২০ ফেব্ৰুৱাৰী—ঝাৰচোগোড়া এৰি কলি-কতালৈ যাত্ৰা। লগত বি. বৰুৱা আৰু গাংপুৰৰ ঠিকাদেৎ।

২১ ফেব্ৰুৱাৰী—আচাক্কোল ৩।৩০ বজাত আবেলি এৰি ৬।৩০ বজাত কলিকতা পালোঁহি।

২২ ফেব্ৰুৱাৰী—পুৱায় চেট্লাৰ হাটলৈ গলোঁ। গধূলি আৰু নোলালোঁ। বৰ ভাগৰ লাগিল। গদাধৰক (আমাৰ দোকানৰ কৰ্ম্মচাৰী) লগত লৈ হাটত বহুত বস্ত্ৰ কিনিলোঁ।

২৩ ফেব্ৰুৱাৰী—পুৱা দিল্লীপালাৰপৰা দোকানলৈ বস্ত্ৰ কিনিলোঁ। শিৱসাগৰৰ স্কুলত মোৰ সহাধ্যায়ী শুভ্ৰেন্দুমোহন গোস্বামীক হঠাৎ তাতে লগ পাই বং লাগিল।

২৪ ফেব্ৰুৱাৰী—হাওড়াৰ কেলেডনীয়া ডকলৈ গৈ আচাক্কোলত আমাৰ ঘৰত কাম কৰিবলৈ গোটা-চেৰেক ৰাজমিস্ত্ৰী বন্দবস্ত কৰিলোঁ। বেৰিষ্টাৰ জ্ঞানেন ৰায়ৰে (J. N. Roy) সৈতে দেখা হল, তেওঁৰ সৈতে "বিস্কুনেছ টক" হল।

২৫ ফেব্ৰুৱাৰী—পুৱা বহুবজাৰত "ড্ৰয়িংৰুম ছুট" এটা সম্বলপুৰৰ জে. এন. সেনলৈ কিনি পঠি-য়াবৰ দিহা কৰি, আমাৰ "মিছলেনিয়চ ষ্টোৰ"ৰ দোকানৰ হিচাপ চাবলৈ গলোঁ। আবেলি বৰ-বজাৰলৈ গৈ আমাৰ আমদা, বাৰ্ডৰফেলা (বি. এন. আৰৰ) অফিচলৈ দুটা লোৰ পেৰা কিনি পঠিয়াবৰ দিহা কৰিলোঁ।

২৭ ফেব্ৰুৱাৰী—বেঙ্কৰপৰা দহ হেজাৰ টকা লৈ আচাক্কোললৈ গধূলি ৬।৪২ মিনিটৰ বেলত যাত্ৰা কৰিলোঁ।

২৮ ফেব্ৰুৱাৰী—তাৰপৰা ভৱানীৰে সৈতে (বি. বৰুৱাৰ ভাগিনীয়েক) ঝাৰচোগোড়ালৈ যাবলৈ বি-এন-আৰৰ গাড়ীত উঠিলোঁ। আজি কলিকতাত ইন্দিৰা দেৱীৰে সৈতে প্ৰমথ চৌধুৰীৰ বিয়া। মোৰ আৰু যোৱা নহল।

১ মাৰ্চ্চ—কলিকতালৈ বাওনা হলোঁ। লগত জাৰ্দ্দিন কোম্পানীৰ ওপৰত ৭৫,০০০ হেজাৰ টকাৰ এখন হুণ্ডি লৈ।

২ মাৰ্চ্চ—কলিকতা।

৬ মাৰ্চ্চ—ষ্টীল ট্ৰাঙ্কৰ এটা consignment-অৰ নিমিত্তে "হৰিশ্চন্দ্ৰ বোস কোম্পানী"ক অৰ্ডাৰ দিলোঁ।

১৭ মাৰ্চ্চ—আচাক্কোলৰ ঘৰৰ নিমিত্তে কৰগেটেড্ আইৰণ্ চিট্ কিনি পঠিয়ালোঁ।

২৫ মাৰ্চ্চ—মোৰ বাইচিকোলখন মেৰামত কৰিবলৈ পঠিয়ালোঁ।

২৮ মাৰ্চ্চ— Watkins কোম্পানীক ৫০০ টকা গাংপুৰৰ ৰজাৰ হকে দিলোঁ; হিন্দিৰ successions হিস্থাপত।

২২ এপ্ৰিল—গাংপুৰৰ ৰজাক দিবলৈ ১০০০ টকাৰ সোণ কিনি লৈ আচাক্কোলেদি ঝাৰচোগোড়ালৈ বাওনা হলোঁ।

২৬ এপ্ৰিল—হংকং বেঙ্কৰপৰা ১২৫০ টকা আনি গাংপুৰ ৰজাৰ হিচাপত Watkins কোম্পানীক দিলোঁ।

২৮ এপ্ৰিল—শ্ৰীযুত তৰুণ ফুকনেৰে (বেৰিষ্টাৰ) সৈতে বাইচিকোলত উঠি ইডেন গাৰ্ডেনৰ কাষে ফুৰিবলৈ গলোঁ।

২৯ এপ্ৰিল—পুৱা কেলেডনীয়া ডকলৈ গলোঁ। গধূলি বাইচিকোলৰ দোকানলৈ, আৰু তাৰ পিছত বিলিয়াৰ্ড খেলিবলৈ ইণ্ডিয়া ক্লাবলৈ গলোঁ।

৩০ এপ্ৰিল—আচাক্কোললৈ যাত্ৰা।

১ মেই—তাত কাৰ্য্য-পৰিদৰ্শন।

৩ মেই—পুৱা Mr. P. N. Bose অক (সুবিখ্যাত প্ৰমথনাথ বসু) দেখা কৰি, আকৌ ৰাতিৰ গাড়ীত কলিকতালৈ উভতিলোঁ।

৮ মেই—অক্ষয় নন্দীয়ে ঝাৰচোগোড়াৰ পৰা ২৫,০০০ টকাৰ হুণ্ডি এখন J. S. & Co. ৰ ওপৰত দিলেহি। সেইখন হংকং বেঙ্কলৈ পঠিয়াই ২৫,০০০ টকাৰ সৰু বৰ নোট আনিলোঁ।

৯ মেই—বৰ্দ্ধমানত ঘৰটো চাবলৈ গলোঁ। কিনিবৰ মনেৰে দুটা ঘৰ চালোঁ। ভাল নালাগিল।

১০ মেই—পুৰা কলৰ basket ঝাৰচোগোড়ালৈ পঠিয়ালোঁ। গধুলি ২৫,০০০ টকাৰ নোট লৈ ঝাৰচোগোড়ালৈ বুলি আচাঙ্কোললৈ ৰাওনা হলোঁ।

১১ মেই—ৰাতি ১১ বাজি ৩০ মিনিটত ঝাৰাচোগোড়া পালোঁহি। বি-বৰুৱা পেন্দ্ৰাত (বি. এন. আৰৰ ষ্টেচন এটা) আছিল।

১৩ মেই—ঝাৰচোগোড়াতে গাংপুৰত ওকালতি কৰা উকীল (পিছত সম্বলপুৰত) ৰামাপদ চাটুৰ্জীৰে সৈতে মোৰ চিনাজনা হল।

১৬ মেই—বি. বৰুৱা পেন্দ্ৰাৰপৰা আহি ঝাৰচোগোড়া পালেহি।

১৭ মেই—আচাঙ্কোললৈ ৰাওনা হলোঁ।

১৮ মেই—কলিকতালৈ বুলি পঞ্জাব মেলত উঠিলোঁ। ৰাতি আচাঙ্কোলত আঢ়ৈ বজাত। বৰ বেয়া সময়।

১৯ মেই—পুৱাতে কলিকতা।

২২ মেই—আকৌ আচাঙ্কোললৈ যাত্ৰা।

২৩ মেই—বি. বৰুৱাৰে সৈতে কলিকতালৈ উভতিলোঁ, আকৌ সেই আহুকলীয়া পঞ্জাব মেলতে।

২৪ মেই—কলিকতাত ওলালোঁহি। বি. বৰুৱাৰ বৰ জ্বৰ উঠিল।

২৫ মেই—বি-বৰুৱাৰ বৰ জ্বৰ। টেম্পাৰেচৰ ১০৩ ডিগ্ৰি।

২৬ মেই—ডাক্তাৰ ৰছেলক (Dr. Russel) চিকিৎসা কৰিবলৈ মতা হল।

২৭ মেই—জ্বৰ কমিছে। ৰছেল আজিও আহিছে।

২৮ মেই—বি. বৰুৱাৰ জ্বৰ এৰিলে।

২৯ মেই—নিজে বজাৰলৈ গৈ আম কিনি পাচিত ভৰাই "পেক্" কৰি গাংপুৰলৈ পঠিয়ালোঁ।

৪ জুন—৪০০ "পিট্‌শ্ব" কৰত ঝাৰচোগা-ড়ালৈ পঠিয়ালোঁ।

৭ জুন—বি. বৰুৱা দাৰ্জিলিঙলৈ গল।

৮ জুন—পুৱা "মিছেলেনিয়ছ ষ্টৰ্ছ"ৰ কাম চালোঁ। দুপৰীয়া কুক কোম্পানীৰ নীলামলৈ গৈ ঘুঁৰী এজনী ১১০ টকাত কিনিলোঁ।

১০ জুন—আচাঙ্কোললৈ ১০,০০০ টকা লৈ গৈ সেইটো উমাচৰণ চৰ্কাৰৰ মাৰ্ফৎ ঝাৰচো-গোড়ালৈ পঠিয়াই ৰাতিয়েই উভতি আহিলোঁ।

১১ জুন—পুৱা কলিকতা পালোঁহি।

১২ জুন—বি. টি. টিৰ ৰবচাহাব মিষ্টৰ হুইফিন্ আৰু শ্যাম বাবুক (হেড ক্লাৰ্ক) হাওড়া ষ্টেচনৰ পৰা আনিবলৈ গাড়ী পঠিয়ালোঁ। শ্যাম বাবু আমাৰ ঘৰতে থাকিলহি; হুইফিন হোটেললৈ গল।

১৫ জুন—শ্যাম বাবু উভতি গল।

১৬ জুন—গদাধৰেৰে সৈতে দোকানলৈ গৈ বস্ত্ৰ কিনিলোঁ।

১৭ জুন—আজিও গদাধৰেৰে সৈতে দোকা-নলৈ গৈ বস্ত্ৰ কিনিলোঁ, ৰাকীডোখৰ বলৰাম দে ষ্ট্ৰীটৰ ঘৰত কটালোঁ।

২০ জুন—আচাঙ্কোলৰ কাম চাবলৈ আচা ঙ্কোললৈ গলোঁ।

২২ জুন—আজি উভতি আহিলোঁ। কেলে-ডনীয়া ডকলৈ গলোঁ। আচাঙ্কোলৰ মাটিৰ মেপ দলিল বি. বৰুৱালৈ (দাৰ্জিলিঙত) পঠিয়াই দিলোঁ।

২৯ জুন—বি-বৰুৱা উভতি আহিল। সুৰভিৰ বৰ জ্বৰ।

৩০ জুন—বি. বৰুৱা আচাঙ্কোললৈ গল। সুৰভিৰ জ্বৰ নাই।

১ জুলাই—হাজি নুৰ মহম্মদ আয়ুবক ৭,০০০ টকা দিলোঁ ঝাৰচোগোড়াৰপৰা অনা হুণ্ডিৰ ওপৰত। ৰাতি দহ বজাৰ গাড়ীত আচাঙ্কোললৈ ৰাওনা হলোঁ।

৩ জুলাই—কলিকতালৈ উভতি আহিলোঁ।

২২ জুলাই—ভূতনাথ মুখুৰ্জী বাবুৰে সৈতে কলিকতাৰ পৰা ডমডমলৈ খোজ কাঢ়ি গলোঁ; আৰু খোজ কাঢ়ি উভতি আহিলোঁ। এইটো মোৰ বাহাদুৰি দেখুৱাবলৈ, কাৰণ ভূতনাথ বাবুৰে মোক কৈছিল যে মই খোজ কাঢ়িব নোৱাৰোঁ।

২ আগষ্ট—নাই ষ্টেটৰ lease ছপা কৰিবলৈ দিলোঁ। হুইফিন্ চাহাবলৈ আমৰ baskets পঠিয়ালোঁ। ৰাঁচিৰ কৈলাস বাবুলৈ বৰবৰ গাৰু এটা পঠিয়ালোঁ। গাংপুৰত মেজিষ্ট্ৰেট হৈ যাব খোজা দুজন এম. এ. বি. এল. ডেকাক পৰীক্ষা কৰি এজনক বাছি ললোঁ।

সেই কালত কলিকতাত বি. বৰুৱা কোম্পানীত মোৰ অকলশৰীয়া কাৰ্য্যজীৱনৰ এইটো এবছৰৰ ভিতৰত ছমাহৰ সংক্ষিপ্ত চানেকি।

কিশোৰী বাবু আৰু তাৰ পিছত অতুল বাবু আমাৰ ফাৰ্মলৈ অহাৰ পিছৰ ডোখৰ মোৰ জীৱনৰ নমুনা-স্বৰূপে ১৯০১ আৰু ১৯০২ খ্ৰীষ্টাব্দৰ এনে সংক্ষিপ্ত বিৱৰণ পিছৰ অধ্যায়লৈ থলোঁ।

দশম অধ্যায়

১৯০২ খ্ৰীষ্টাব্দতো বি. বৰুৱাৰ লগত মোৰ ব্যৱসায়-জীৱন কেনে আছিল, তাৰ চানেকিও মোৰ ডায়েৰিৰ পৰা অলপ-অচৰপ আজি এই অধ্যায়ত দিলোঁ। মই বি. বৰুৱাৰ লগ এৰি অহাৰ পিছত বিৰোৰ মানুহে—যাৰে কথা শুনি হওক—মোৰ বিষয়ে মতামত প্ৰকাশ কৰিছিল, সেইবোৰে আচল কথা একোকে নাজানিছিল। আমাৰ কথাতে কয়, "যাৰ পো মেলত নাই, সি গোধীয়া"। মই যেতিয়া মেলত নাছিলোঁ, আৰু মোৰ পো বুলিবলৈকো ইহজন্মত এই পৃথিৱীত যেতিয়া কোনো নাই, মই গোধীয়া হ'বই লাগিব।

১৯০২ খ্ৰীষ্টাব্দ।

১ জানুৱাৰী—মোৰ গৃহিণী "বেবী"ৰে সৈতে ঝাৰচোগোড়ালৈ গ'ল। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ৩৮ নম্বৰ ভবছন ৰোডৰ ঘৰত মোৰে সৈতে থাকিলহি।

১০ জানুৱাৰী—বি. বৰুৱা ঝাৰচোগোড়াৰ পৰা পালেহি। মই বেঙ্গল বেঙ্কৰ পৰা দহ হেজাৰ টকা আনিলোঁ। জদ্দিনে দহ হেজাৰ টকাৰ চেক্ এখন দিছিল, সেইখন বেঙ্গল বেঙ্কত জমা দিলোঁ।

১৪ জানুৱাৰী—২,০০০ টকা বেঙ্গল বেঙ্কৰ পৰা আনিলোঁ।

১৫ জানুৱাৰী—বি. বৰুৱাই ১,৫০০ টকা লৈ ঝাৰচোগোড়ালৈ গ'ল। মোৰ "জিপ্‌ছি" নামৰ কুকুৰটোও তেওঁ লৈ গ'ল।

১৬ জানুৱাৰী—আমাৰ ঠিকাদাৰ বটু বাবুক ৫০০ টকা দিলোঁ।

১৭ জানুৱাৰী—বেঙ্গল বেঙ্কৰপৰা ১০,০০০ টকা আনিলোঁ।

১৮ জানুৱাৰী—J. S. Coৰ পৰা ১০,০০০ টকাৰ চেক্ পাই বেঙ্গল বেঙ্কত জমা দিলোঁ। বটু বাবুৰ হাতত দহ হেজাৰ টকা নগদ বি. বৰুৱালৈ পঠিয়াই দিলো। J. S. Coৰ নামত আমাৰ হৈ টিক্ টিম্বৰৰ টেণ্ডাৰ দিবলৈ কিশোৰী বাবু লক্ষ্ণৌলৈ গল।

১৯ জানুৱাৰী—ঠিকাদাৰ অক্ষয় বাবুৰ হিছাপত ডাক্তৰ প্ৰাণকৃষ্ণ আচাৰ্য্যই মোক ১,৫০০ টকা দিলে।

২০ জানুৱাৰী—১,৫০০ টকা বেঙ্কত জমা দিলোঁ। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা আজি অসমলৈ গ'ল।

২২ জানুৱাৰী—জদ্দিনৰপৰা ১০,০০০ টকা আনিলোঁ।

২৫ জানুৱাৰী—১৫,০০০ টকা লৈ ঝাৰচোগোড়ালৈ গলোঁ। তাত গৃহিণী আৰু বেবী ভালে আছে দেখিলোঁ।

২৭ জানুৱাৰী—ঝাৰচোগোড়াৰ পৰা সম্বলপুৰলৈ সস্ত্ৰীক আমি জে. এন. সেনৰ (গৱৰ্ণমেণ্ট প্লীডৰ) ঘৰত বলোঁ। তেওঁলোকে বৰ আদৰ কৰি ৰাখিলে। টেনিছ্ খেলিলোঁ, আৰু সম্বলপুৰৰ অনেক ঠাই তেওঁলোকেৰে সৈতে ফুৰিলোঁ।

২৮ জানুৱাৰী—সম্বলপুৰতে আৰু দুদিনমান থাকিবৰ মন গৈছিল ; কিন্তু বি. বৰুৱাই মাতি পঠিয়ালে দেখি কলিকতালৈ উভতি যাবলৈ ঝাৰচোগাড়ালৈ গলোঁ। ২০,০০০ টকা বি. বৰুৱাক দিলোঁ।

৩০ জানুৱাৰী—ঝাৰচোগোড়াৰ পৰা আজিহে কলিকতালৈ ৰাওনা হলোঁ।

৩১ জানুৱাৰী—কলিকতাত জদ্দিনৰ পৰা ১৫,০০০ টকাৰ চেক্ আনিলোঁ। ৬,০০০ বেঙ্কৰ পৰা draw কৰিলোঁ। তাৰ পিছত E. B. S. R. অৰ অফিচ শিয়ালদহলৈ গৈ টকা আনিবৰ চেষ্টা কৰি নাপালোঁ।

১ ফেব্ৰুৱাৰী—৬,০০০ টকা * পান্নালাল দাবোৱানৰ হাতত ঝাৰচোগোড়ালৈ পঠিয়ালোঁ। ১৫,০০০ বেঙ্কত জমা দিলোঁ।

২ ফেব্ৰুৱাৰী—বি. বি. ঝাৰচোগোড়াৰ পৰা পালেহি। মই O. & R R. ৰ কিটিং চাহাবক (Keatinge) আমাৰ আৰু জদ্দিন ষ্টীনৰৰ চেগুণ কাঠ দেখুৱাবলৈ শিৱপুৰৰ টিম্বৰ য়ার্ডলৈ গলোঁ।

৭ ফেব্ৰুৱাৰী—জাদ্দিনৰ পৰা ১৬,০০০ টকাৰ চেক পাই বেঙ্গল বেঙ্কত জমা দিলোঁ।

৮ ফেব্ৰুৱাৰী—বি. বৰুৱাই ১৬,০০০ টকা লৈ ঝাৰচোগোড়ালৈ গ'ল।

১৫ ফেব্ৰুৱাৰী—শাল স্লিপৰৰ হিছাপত জাদ্দিনৰ পৰা ১৫,০০০ টকাৰ চেক্ পাই বেঙ্গল বেঙ্কত জমা দিলোঁ। বটু বাবুৰ হাতত ১০,০০০ টকা ঝাৰচোগোড়ালৈ পঠিয়ালোঁ।

১৭ ফেব্ৰুৱাৰী—বি. বৰুৱাৰ কথামতে শ্ৰীযুত এম. চি. বৰুৱাক ২০০ টকা দিলোঁ।

১৯ ফেব্ৰুৱাৰী—এম-চি-বৰুৱা ভুৱনেৰে সৈতে আসামলৈ উভতি গ'ল।

---

* আমাৰ এই পান্নালাল দাবোৱান আজিকালি এজন ডাঙৰ টিম্বৰ, মার্চেণ্ট, এটা কার্বৰ মালিক আৰু চাৰি-পাঁচ লাখ টকাৰ অধিকাৰী। বি. এম্. আমাৰ কুলুজা ঐশ্বৰ্যত থাকে।

২১ ফেব্রুৱাৰী—জাদ্দিনৰ পৰা ১৫,০০০ টকাৰ চেক্ পালোঁ। কালীকৃষ্ণ প্ৰামাণিকৰ পৰা ৪,৬১০ টকা পালোঁ।

২২ ফেব্রুৱাৰী—১৫,০০০ টকাৰ চেক্ বেঙ্ক অৰ বেঙ্গলত জমা দিলোঁ। ৪,৬১০ টকাও। ৩,০০০ টকা শ্ৰীযুত ৰমাকান্ত বৰকাকতীক দিলোঁ, শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱাৰ বাবে—in full settlement of his claim—অৰ্থাৎ এম. চি. বৰুৱাই বেমক্কিক দিব লগীয়া ধাৰ শোধ। বি. বৰুৱা পুৰা পালেহি।

২৬ ফেব্রুৱাৰী—শিৱপুৰত মেকেঞ্জি লায়েলৰ হতুৱাই আমাৰ surplus অৰ্থাৎ উপৰঞ্চি কাঠবোৰ নিলামত বেচালোঁ।

২৭ ফেব্রুৱাৰী—বেঙ্কৰ পৰা ১৫,০০০ আনিলোঁ।

২৮ ফেব্রুৱাৰী—জাদ্দিনে ১৫,০০০ দিলে। বি-বৰুৱাই সেই টকা লৈ গ'ল।

২ মাৰ্চ্চ—নতুন ঘৰ সজাবলৈ আজিৰ পৰা আৰম্ভ কৰিলোঁ।

৭ মাৰ্চ্চ—১৮,০০০ টকা বেঙ্গল বেঙ্কৰপৰা আনিলো। ১৫,০০০ জাদ্দিনৰ পৰা পাই বেঙ্কত জমা দিলোঁ।

৮ মাৰ্চ্চ—২০,০০০ টকা নগদ লৈ ঝাৰ-চোগোড়ালৈ গলোঁ। ৰাতি oveacarried হৈ ৰায়গড় পালোঁগৈ। মালগাড়ীতে উঠি পিছদিনাহে পুৰা অতি কষ্টেৰে ঝাৰচোগোড়া পালোঁহি। বৰ বিপদ গল।

৯ মাৰ্চ্চ—আজি মোৰ গৃহিণীয়ে ঝাৰ-চোগোড়াৰ আমাৰ অফিচৰ কৰ্ম্মচাৰী, ঠিকাদাৰ আৰু বেলৱে বাবুবোৰক ভোজ দিলে। ডাঙৰ ভোজ। সকলো সন্তুষ্ট।

১০ মাৰ্চ্চ—সস্ত্ৰীক বেৰীৰে সৈতে হাওড়ালৈ বুলি ঝাৰচোগোড়া এৰি আহিলোঁ।

১১ মাৰ্চ্চ—হাওড়া পালোঁহি।

(দিনৌ এনে গঢ়ৰে কথা। সেই দেখি এইবাৰ জপিয়াই দেই যাম।)

২৮ মাৰ্চ্চ—বি. বৰুৱালৈ ১৫,০০০ টকা পঠিয়ালো। কটকলৈ যাত্ৰা কৰিলোঁ।

২৯ মাৰ্চ্চ—ক্ষীৰোদ বাবুৰ ঘৰত উঠিলোঁ। ঘৰ্ণই মোক দেখি আৰু আনবোৰেও বৰ বং পালে।

৩০ মাৰ্চ্চ—ক্ষীৰোদ বাবুৰে সৈতে কটকত চাব লগীয়া ঠাইবোৰ চাই ফুৰিলোঁ। কমল-বহুল (বহুমূলৰ পদশিলা) চাবলৈকো গৈছিলোঁ।

৩১ মাৰ্চ্চ—পুৰা চাৰে ছয় বজাত কটক এৰি হাওড়ালৈ বাওনা হলোঁ। ৰাতি ৭ বজাত হাওড়া।

২ এপ্ৰিল—ঝাৰচোগোড়ালৈ যাবলৈ ৰেলত উঠিলোঁ।

৩ এপ্ৰিল—টিক্ টিম্বৰৰ অৰ্ডাৰ এটা (B.N. R.—এ দিয়া) বি. বৰুৱাই মোক দিলে। গধূলি ৮ বজাত হাওড়ালৈ বুলি গাড়ীত উঠিলোঁ।

৪ এপ্ৰিল—বেঙ্গল বেঙ্কৰপৰা ১০,০০০৲ টকা আনি ঝাৰচোগোড়ালৈ পঠিয়ালোঁ। National Bank—অত চেক্ দি ২৫,০০০৲ টকা বেঙ্গল টিম্বৰ কোম্পানীক দিলোঁ। ১১,০০০৲ টকা Meckenzie Lyall & Co.—ক দিলো, D.L. মাৰ্কা teak timber সিহঁতৰপৰা কিনাৰ বেচ। কৰ্জ্জন থিয়েটাৰলৈ গলোঁ,—complimentary ticket পাই। শ্ৰীযুত হৰিপ্ৰসাদ নাথৰ পুতেক গুৱালপাৰাৰ পৰা আহি পালহি। শিয়ালদহত হৰি নাথেৰে সৈতে তেওঁক থৈ বি. বৰুৱালৈ খবৰ দিলোঁ।

১৪ এপ্ৰিল—শিৱপুৰত আমাৰ টিম্বৰ য়াৰ্ডত সজা সুন্দৰ ঘৰত আজি আমাৰ প্ৰৱেশ। শিৱপুৰত সকলোকে ডাঙৰ ভোজ এটা দিয়া গ'ল। সকলোৰে নথৈ সন্তোষ।

জোড়াসাঁকোত নৱবৰ্ষৰ উৎসৱৰ উপাসনালৈ গৈছিলোঁ। "কৰ্ত্তামশায়" মহৰ্ষিক প্ৰণাম কৰি তেওঁৰ ওচৰত বহিলত মহৰ্ষিয়ে মোক আৰু গৃহিণীক আশীৰ্ব্বাদ কৰিলে। মোক প্ৰশংসা কৰি কথা কৈছিল।

হাওড়াত আমাৰ ঘৰত "কলসী-উৎসৰ্গ" উৎসৱ কৰিলোঁ। পুৰা ৯ বজাত। "কৰ্ত্তা মশায়ে" পণ্ডিত হেমচন্দ্ৰ বিদ্যাৰত্নক সেই উৎসৱৰ কৰ্ত্তব্য কাৰ্য্যবোৰ সমাপন কৰিবলৈ পঠিয়াই দিছিল।

গধূলি গঙ্গাৰ পুলৰ ওপৰেদি আমাৰ গাড়ীত যাওঁতে আজিও এটা দুৰ্ঘটনা ঘটিল। গাড়ীত মই, মোৰ গৃহিণী আৰু "দাদা" (মোৰ গৃহিণীৰ ককাই-দেৰেক হিতেন্দ্ৰনাথ ঠাকুৰ)। আমাৰ লেণ্ডুটনা ঘোৰাই উচপ খাই আন এখন গাড়ীত খুন্দা মাৰিলে। গাড়ী আৰু ঘোৰাৰ বিশেষ হানি হোৱা নাছিল। তথাপি গাড়ীখন পিছত আহিবলৈ তাতে এৰি, ভেৰোণীয়া গাড়ী এখনত উঠি ঘৰলৈ আহিলোঁ।

১৬ এপ্ৰিল—সম্বলপুৰৰপৰা সস্ত্ৰীক জে. এন. সেন আমাৰ ঘৰত। তাৰ পিছত খাই-বৈ তেওঁলোক দাৰ্জ্জিলিঙলৈ গ'ল। মই শিয়ালদহত তেওঁলোকক গাড়ীত তুলি দিলোঁ।

১৮ এপ্ৰিল—জাৰ্দ্দিনৰপৰা ১৫,০০০৲ টকাৰ চেক্ পাই বেঙ্গল বেঙ্কত জমা দিলোঁ। ১,২০০৲ টকা বেঙ্কৰপৰা আনি ঝাৰচোগোড়ালৈ পঠিয়ালোঁ। ৩০০৲ টকা বি. বৰুৱাৰ instruction—মতে ৰবিনাৰায়ণ বৰালৈ পঠিয়ালোঁ। জে. এন. সেনলৈ (দাৰ্জ্জিলিং) ২০০৲ টকা (তেওঁৰ টকা মোৰ হাতত আছিল) ঠিয়ালো। প্ৰসাদদাস বৰালৰ অফিচত ২,০০০ টকাৰ কোম্পানীৰ কাগজ ভঙালোঁ,—এশত ৯৭।৴০ কৈ। মোট ২,০১৭।৴০ পালোঁ। এইটো Teak Department অৰ টকা।

১৯ এপ্ৰিল—বেঙ্গল বেঙ্কত ১৫,০০০ টকা দিলোঁ।

২৫ এপ্ৰিল—বেঙ্গল বেঙ্কৰ পৰা ৮,০০০ টকা আনিলোঁ।

২৬ এপ্ৰিল—আকৌ ২,০০০ আনিলোঁ। ঝাৰচোগোড়ালৈ ১০,০০০ টকা পঠিয়ালোঁ। বি. বৰুৱাৰ ভতিজাক চন্দ্ৰকান্ত গসমৰপৰা আহিছিল। তেওঁক নন্দকিশোৰৰ লগত ঝাৰচোগোড়ালৈ পঠিয়াই দিলোঁ। R.C. Naskar. অৰ পৰা দহ ডজনৰ ইটা কিনিলো।

২৮ এপ্ৰিল—A. B R -অৰ Mr. Cheshire-এ আজি আমাৰ স্লিপৰ 'পাচ্' কৰিলে। মই attend কৰিছিলোঁ।

২৯ এপ্ৰিল—নগাৰৰ পৰা গোলোকচন্দ্ৰ বৰুৱা (বি. বৰুৱাৰ ভতিজাক) আহিল। বি. বৰুৱাৰ কথামতে তেওঁক ঝাৰচোগোড়ালৈ পঠিয়াই দিলোঁ।

২১ মেই—শ্ৰীযুত জগন্নাথ বৰুৱা বিলাতত ৰজাৰ কৰোনেশ্যনৰ বাবে নিমন্ত্ৰিত হৈ আসামৰ পৰা আহিল, বিলাতলৈ যাবলৈ। আমাৰ ঘৰতে থাকি খোৱা-বোৱা কৰিলে। বি. বৰুৱা আহিল। তেওঁৰ নৰিয়া।

২৩ মেই- শ্ৰীযুত জগন্নাথ বৰুৱাৰে সৈতে ইণ্ডিয়া ক্লাবলৈ গলোঁ। জাৰ্দ্দিনৰ পৰা ১৫,০০০ টকাৰ চেক্ আনিলোঁ।

২৪ মেই—বেলিয়াঘাটৰ পৰা চূণ কিনিলোঁ।

২৫ মেই—হৰিনাথৰ হাতত ১০,০০০ টকা ঝাৰচোগোড়ালৈ পঠিয়ালোঁ।

২৮ মেই—জগন্নাথ বৰুৱা আজি বিলাতলৈ গ'ল। Chord Mail-অত বম্বেলৈ গ'ল, তাৰ পৰা জাহাজত উঠিব।

১৬ জুন—জে. এন. সেন সস্ত্ৰীক দাৰ্জ্জিলিঙৰ পৰা আহি আমাৰ ঘৰত উঠিল।

১৭ জুন—সুকুমাৰ ৰায় বেৰিষ্টাৰ আমাৰ ঘৰত আলহী বলহি।

১৮ জুন—সেন সম্বলপুৰলৈ গ'ল।

২৬ জুন—সুকুমাৰ বেৰিষ্টাৰ আমাৰ ঘৰৰ পৰা ব্ৰাহ্মপাৰাৰ ঘৰলৈ গ'ল।

২৭ জুন—বি. বৰুৱা বিলাসপুৰলৈ গ'ল। বেঙ্কত ১৫,০০০ টকা জমা দিলোঁ।

"ভাৰতী" নামৰ বঙ্গলা মাহেকীয়া কাকতত ওলোৱা "বৈদ্যজাতিৰ ইতিবৃত্ত" প্ৰবন্ধৰ সমালোচনা এটা লেখি "ভাৰতী"ত ছপা কৰিবলৈ পঠিয়ালোঁ।

১৩ আগষ্ট—ঘৰ সজাৰ কাম আজি শেষ হ'ল। খালি ৰং দিয়া আৰু "গ্লাছ" লগোৱা বাকী।

২ ছেপ্টেম্বৰ—জাৰ্দ্দিনৰপৰা ৬২,৫০০৲ টকা পালোঁ। তাৰেপৰা ২০,০০০৲ teak timber হিছাপত দিলোঁ।

৩ ছেপ্টেম্বৰ—"পুত্ৰবান পিতা" নামৰ প্ৰবন্ধ এটা লেখি "জোনাকী"ত ছপাবলৈ শ্ৰীযুত সত্যনাথ বৰালৈ (গুৱাহাটী) পঠিয়ালো।

৪ ছেপ্টেম্বৰ—শ্ৰীজগন্নাথ বৰুৱা বিলাতৰপৰা উভতিল। লগত শ্ৰীযুত নৃপেন্দ্ৰনাথ ভট্টাচাৰ্য্যও। ভট্টাচাৰ্য্যৰে সৈতে কলিকতাৰ কলেজত একেলগে পঢ়িছিলো। দেখি ভাল লাগিল। ঝাৰচোগোড়া ষ্টেশ্যনৰপৰা বি. বৰুৱা, ভুবনচন্দ্ৰ বৰুৱা, শ্ৰীযুত জগন্নাথ বৰুৱাৰে সৈতে একেলগে আহিছিল। জগন্নাথ বৰুৱাই আমাৰ ঘৰতে breakfast খালে। আবেলি তেওঁ ইণ্ডিয়া ক্লাবত থাকিবলৈ গ'ল। আমি অসমীয়াসকলে তেওঁক হাওড়াৰ বেল ষ্টেশ্যনৰপৰা আনন্দ কৰি আগবঢ়াই আনিছিলোঁ।

১০ ছেপ্টেম্বৰ—শ্ৰীযুত জগন্নাথ বৰুৱা অসমলৈ ৰাওনা হ'ল। শিয়ালদহত আমি তেওঁক বিদায় দিলো। তেওঁ ৰাতি দহ বজাত গোৱালন্দ মেইল গাড়ীত গ'ল।

২১ ছেপ্টেম্বৰ—বি. বৰুৱা বিলাসপুৰৰপৰা পালেহি। আজি অৰুণাৰ অন্নপ্ৰাশন উৎসৱ। পুৰাণ কৰা হ'ল। জোড়াসাঁকোৰপৰা "কৰ্ত্তামহাশয়ে" পণ্ডিত হেমচন্দ্ৰ বিদ্যাৰত্নক, আৰু এজনক পঠিয়াই দিছিল। বিদ্যাৰত্নই উপাসনাদি কাৰ্য্য কৰিলে। বি. বৰুৱাই অৰুণাৰ মুখত ভাত দিলে। গধূলি অনেক মানুহক ভোজ খুওৱা হ'ল। grand party হৈছিল। সকলো সুন্দৰভাৱে সম্পাদিত হ'ল।

২৩ ছেপ্টেম্বৰ—বি. বৰুৱা বিলাসপুৰলৈ গ'ল।

১০ অক্টোবৰ—মই আজি ৰাতি দহ বজাত গোৱালন্দ মেইলত উঠি অসমলৈ যাত্ৰা কৰিলো।

১৩ অক্টোবৰ—পুৱা গোৱালন্দ জাহাজত উঠিলোঁ।

১৪ অক্টোবৰ—জাহাজত।

১৫ অক্টোবৰ—গুৱাহাটী। হেম গোসাঁই আৰু শ্ৰীযুত সত্যনাথ বৰাৰে সৈতে দেখা কৰিলোঁ। হেম গোসাঁয়ে মোক ডাক-বঙলাত খুৱাই ৰাতি A.B.R. গাড়ীত তুলি দিলে।

১৬ অক্টোবৰ—গোলাঘাটত কমাৰবন্ধা আলি ষ্টেশ্যনত নামিলোঁ। শ্ৰীনাথ ককাইদেৱে তাৰেপৰা মোক আগবঢ়াই নিলে। তেওঁৰ ঘৰতে থাকিলোঁ। তাতে মাতৃদেৱীক দেখি মোৰ অপাৰ আনন্দ হ'ল।

১৭ অক্টোবৰ—গোলাঘাটত। তাতে ১৯ তাৰিখলৈকে আছিলোঁ।

২০ অক্টোবৰ—গোলাঘাট এৰি বোকাখাটলৈ গলোঁ। তাত ২৪ তাৰিখলৈকে শ্ৰীযুত গোবিন্দ ককাইদেৱৰ লগত আছিলোঁ।

২৩ অক্টোবৰ—শ্ৰীযুত জগন্নাথ বৰুৱাৰ ঘৰত গোবিন্দ ককাইদেওৰে সৈতে নিমন্ত্ৰণ খালোঁ। দুইৰো ভিতৰত কিছু দিনৰ পৰা হোৱা মনোমালিন্য গুচাই দুইকো ভালকৈ মিলাই দিলোঁ।

২৪ অক্টোবৰ—তাৰপৰা ককিলামুখত 'পেঙ্গুইন' নামৰ জাহাজত উঠি ডিব্ৰুগড়। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাই মোক জাহাজ ঘাটৰপৰা আনিলেগৈ। ডিব্ৰুগড়ত শ্ৰীযুত জগন্নাথ ককাইদেওৰ ঘৰত থাকিলোঁ।

শুনিলোঁ গোলাঘাটত শ্ৰীনাথ ককাইদেওৰ বৈণীয়েক মোৰ বৌ, ল'ৰা এটা জন্ম হোৱাৰ পিছত ঢুকাল। বৰ বেজাৰ লাগিল।

২৬ অক্টোবৰ—ডিব্ৰুগড় এৰি শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰে সৈতে তেওঁলোকৰ চাহ-বাগিচা তামোলবাৰীলৈ গলোঁ। তাত শ্ৰীযুত বিষ্ণু আগৰৱালাক লগ পালোঁ। তাত বৰ সুখেৰে ৩০ অক্টোবৰলৈকে আছিলোঁ। ৩০ তাৰিখে শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰে সৈতে ডিগবৈলৈ গলোঁ। তাত মোৰ ককাইদেও শ্ৰীযুত জয়কৃষ্ণ বেজবৰুৱা আছিল। এৰাতি তেওঁৰ তাতে আছিলোঁ।

৩১ অক্টোবৰ—ডিব্ৰুগড়লৈ উভতি আহি চন্দ্ৰকুমাৰ আগৰৱালাৰ ঘৰত থাকিলোঁ। আগৰৱালাৰ বাকে মোক বৰ যতন কৰি ৰাখিলে। তেওঁ মোৰ গৃহিণীলৈ পাটৰ বিহা-মেখেলা আৰু কাপোৰ দিলে। মোকো কাপোৰ দিলে। মোৰ "হৰিভকত" শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্যক তাতে লগ পালোঁ।

২ নৱেম্বৰ—ডিব্ৰুগড় এৰি ৰাতি ডাক জাহাজত শুলোঁহি; কাৰণ পুৱায় জাহাজ ভটীয়াই যাব। শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাও মোৰ লগতে। জাহাজখনৰ নাম "বগাৰ্ড" (Buggard)। আগৰৱালা তেজপুৰত নামিব। অহাৰ আগতে ককাইদেও শ্ৰীযুত জগন্নাথ বেজবৰুৱাৰ তাত ভাত খাই আহিলোঁ।

৪ নৱেম্বৰ—শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা তেজপুৰত নামি গ'ল। মই গুৱাহাটীৰ জাহাজ-ঘাট এৰাৰ আগতে ২।৩ মিনিটৰ নিমিত্তে হেমচন্দ্ৰ গোহাঁইক আকৌ লগ পাইছিলোঁ। সৰহ সময় কথা-বাৰ্ত্তা পাতিবলৈ নাপাই বেয়া লাগিল।

৬ নৱেম্বৰ—গোৱালণ্ড ঘাট। ৰেল আহোঁতে পোৰাদহ ষ্টেশ্যনত ই. বি আৰৰ চিফ্ ইঞ্জিনিয়েৰ আৰু এজেণ্ট ৰায় বাহাদুৰ বলাৰামক তেওঁৰ চেলুন গাড়ীত দেখিলোঁ। তেওঁ আগ্ৰহকৈ মোক তেওঁৰ গাড়ীত তুলি ললে। শিয়ালদহলৈকে তেওঁৰ লগতে আছিলোঁ। ষ্টেশ্যনত গৃহিণী আৰু বেবী অৰুণাক লগ পালোঁ।

১৩ ডিচেম্বৰ—বি. বৰুৱাই আহমদাবাদৰ কংগ্ৰেছলৈ যাব খোজাত তেজপুৰৰ শ্ৰীযুত পদ্মনাথ বৰুৱালৈ মই টেলিগ্ৰাফ কৰিলোঁ যাতে তেওঁক ডেলিগেট কৰি দিয়ে।

১৯০৩ খ্ৰীষ্টাব্দতো এনে দৰেই কাম কৰি আছিলোঁ, আৰু আমাৰ ব্যৱসায় আৰু ডাঙৰ হৈছিল। কিন্তু এই বছৰৰ শেহৰ ফালে, বি. বৰুৱা আৰু মোৰ ভিতৰত কলি প্ৰৱেশ কৰিলে। ভুইকঁপৰ গুমগুমনি এই ১৯০৩ ছনৰ শেহৰ ডাখৰত শুনিলোঁ আৰু ১৯০৪ খ্ৰীষ্টাব্দত তাৰ জোঁকাৰত ইমান দিনেৰপৰা মই মনে-পতা ঘৰটো ভাগি পৰিল। অৱশ্যে তেতিয়াও মই কাম এইদৰেই শেহলৈকে কৰি আছিলোঁ। ১৯০৪ খ্ৰীষ্টাব্দত লেখা মোৰ ডায়েৰিৰ পাত ইংৰাজীত কৰৰ নিচিনা dismal reading অৰ্থাৎ শোকাবহ।

পৰিশিষ্ট

মোৰ মৃগয়া

আগকথা:—বেজবৰুৱা ডাঙৰীয়াই 'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থত তেওঁৰ 'জীৱনচৰিত' সম্পূৰ্ণকৈ লিখা নাছিল। 'মোৰ মৃগয়া' আৰু 'মোৰ মাতৃমুখ দৰ্শন' প্ৰবন্ধ দুটা দবাচলতে 'মোৰ জীৱন সোঁৱৰণ'ৰ নগৰীয়া প্ৰবন্ধ কিয়নো এইবোৰতো লিখকৰ জীৱনচৰিতৰ বহু সৰল সিচঁৰতি হৈ আছে। সেই কাৰণেই মূল গ্ৰন্থৰ সংগ্ৰাহক অধ্যাপক শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে—এই প্ৰবন্ধ কেটাও বুটলি আনি আমালৈ পঠোৱাত এই প্ৰবন্ধ দুটা পৰিশিষ্টত সামৰি লোৱা হৈছে। —সম্পাদক

(১)

মোৰ জীৱনৰ আগছোৱাত যদি কিবা এটা কাম ৰৰকৈ বেয়া লাগিছিল সেইটো মৃগয়া;—যাৰ ভিতৰত জীৱহত্যা ব্যাপাৰটো ষোল অনা বৰ্ত্তমান। সৰুৰেপৰা জীৱহত্যা আৰু জীৱৰ প্ৰতি নিষ্ঠুৰতা মই দেখিব নোৱাৰিছিলোঁ। তাহানি আমাৰ ঘৰত ৰাদ্ধিবলৈ বুলি অনা জীয়া কাৰৈ মাগুৰ মাছ থেঁতেলাই মৰাটো মই কেতিয়াও নাচাইছিলো। বজাৰৰ পৰা জীয়া গৰৈ চেঙেলি মাছ আনিলে, মই আইৰ গালি-শপনি খাইও, তালৈ কাণ নকৰি, লৰি সেইবোৰ নৈ গৈ আমাৰ পুখুৰীত মেলি দিছিলোঁ। হাঁহ, পাৰ, ছাগলীৰতো কথাই নাই, সেইবোৰ মৰাটো মই শুনাৰ বাহিৰে দেখাই নাছিলোঁ। কাৰণ আমি মহাপুৰুষীয়া মানুহ। হাঁহ, পাৰ, ছাগলী খোৱাটো আমাৰ ঘৰত একেবাৰেই নিষেধ আছিল। ফলত ছাগলী খোৱা মানুহক মই পেটে পেটে ঘিণ কৰিছিলো। শাক্ত মানুহৰ ঘৰৰ ছোৱালী আমাৰ ঘৰলৈ পৰিলে সেই বোৱাৰী ছোৱালীক মই কথাই কথাই "ছাগলী খোৱা ঘৰৰ" বুলি বাক্যবাণ প্ৰহাৰ ৰ কৰিবলৈ নেৰিছিলো। এনে সাত্ত্বিক মহাপুৰুষীয়া মোৰ আজি কি ভীষণ পৰিবৰ্ত্তন, ভাবিলে মই নিজেই আচৰিত মানো।

আমাৰ ঘৰত বন্দুকৰ ব্যৱহাৰ নাছিল। পিতৃদেৱতাই তেওঁৰ কোনো পুতেককে বন্দুক চুব নিদিছিল। শেহৰ ভোখৰত মাথোন মোৰ সৰু ভাই এটাই লুকাই-চুৰকৈ কেতিয়াবা লোকৰ বন্দুক খুজি আনি অ'ত-ত'ত এজাই দুজাই মাৰি হাতৰ খজুৱতি মাৰিছিল বুলি শুনিছিলো; কিন্তু পিয়ে পিতৃদেৱতাৰ অবৰ্ত্তমানত। কলিকতাত থাকোঁতেও মই পূৰ্ব্বসংস্কাৰৰ বশত ভালেমান বছৰলৈকে বন্দুকত হাত নিদিছিলো। ঘটনাচক্ৰত পৰি কেনেকৈ মোৰ পৰিবৰ্ত্তন ঘটিল, তাৰে পূৰ্ব্বাভাষ আজিৰ প্ৰবন্ধত দিম।

১৯১৪ খৃষ্টাব্দত যুৰোপত মহাযুদ্ধ আৰম্ভ হয়। সেই যুদ্ধত যেতিয়া বৃটিছে ফ্ৰান্স আৰু ৰুছিয়াৰ লগ লাগি জাৰ্ম্মানি, অষ্ট্ৰীয়া আৰু তুৰস্কৰ বিপক্ষে থিয় দিলে, সেই যুদ্ধখন এক প্ৰকাণ্ড কাণ্ড হৈ উঠিল। ভাৰতৰ প্ৰজাই নিজৰ ৰজা বৃটিছৰ নিমিত্তে ধন জন প্ৰাণ পাত কৰিবলৈ প্ৰস্তুত হ'ল। বিশেষ ফ্ৰান্সত একপক্ষে ভাৰতীয় সৈন্যই প্ৰথমতে বৃটিছৰ হকে প্ৰাণ দি প্ৰবল প্ৰচণ্ড বেগেৰে বৈ অহা জাৰ্ম্মানিৰ সোঁতত ভেটা দিলে। স্বদেশত সকলো ভাৰতীয়ই যুদ্ধৰ হকে নিজৰ ধনৰ মোনাৰ মুখ মুকলি কৰি বৃটিছৰ ধনৰ ভঁৰালত ঢালি দিলে। ভাৰতীয় বীৰ জাতিৰ হাজাৰ হাজাৰ যুঁজাৰু বৃটিছৰ পতাকাৰ তলত যুঁজৰ নিমিত্তে থিয় হ'ল। বীৰ জাতি বুলি খ্যাতি নথকাসকলৰ অনেক ডেকাই আন নানা প্ৰকাৰে ৰণত সহায়ক হবৰ নিমিত্তে আগবাঢ়ি ওলাল। নানা উপায় অৱলম্বন কৰি ভাৰতবাসীসকলে বৃটিছৰ যুদ্ধৰ খৰচৰ সহাযৰ অৰ্থে ধন তুলিবলৈ ধৰিলে। সুবিখ্যাত বেৰিষ্টৰ ছাৰ আশুতোষ চৌধুৰী তেতিয়া কলিকতাৰ হাইকোৰ্টৰ জজৰ আসন অলঙ্কৃত কৰি আছিল। জজ হবৰ আগেয়ে বেৰিষ্টৰী ব্যৱসায়ত তেওঁৰ উপাৰ্জ্জন প্ৰচুৰ আছিল, শুনিছিলোঁ মাহে পোন্ধৰ হাজাৰৰপৰা কুৰি হাজাৰলৈকে, কিন্তু সেই কালত কলিকতা হাইকোৰ্টৰ চিফজাষ্টিচ জেন্‌কিন্সৰ অনুৰোধ এবাব নোৱাৰি,

তেওঁ এনে লাভৰ বেৰিষ্টৰী ব্যৱসায় পৰিত্যাগ কৰি দেশৰ কল্যাণৰ অৰ্থে তক্তৰ চাকৰী স্বীকাৰ কৰিছিল। যুক্তত বৃটিছৰ সাহায্যৰ নিমিত্তে ধন তুলিবৰ মনেৰে কলিকতাৰ ৰয়েল থিয়েটাৰত তেওঁ এখন নাটকৰ অভিনয় কৰাবৰ উদ্যোগ কৰিলে। কৰিবৰ ৰবীন্দ্ৰনাথ ঠাকুৰৰ বাল্মীকি-প্ৰতিভা নাটৰ অভিনয়কে কৰিবৰ থিৰ হল। সেই অভিনয়ৰ এটা প্ৰধান অঙ্গ প্ৰথম দস্যু অৰ্থাৎ ডকাইতৰ চৰ্দ্দাৰৰ ভাও। মোৰ গাত সেই ভাৰ পৰিল আৰু বালিকা সৰস্বতী হোৱাৰ ভাৰ মোৰ ৰৰজনী ছোৱালী শ্ৰীমতী অৰুণাৰ গাত পৰিল। মই তেতিয়া হাওড়াত আছিলোঁ। আমি ভাবনাৰ আখৰা দিবলৈ দিনৌ গধূলি বেলিকা সপৰিবাৰে হাওড়াৰ পৰা বালিগঞ্জলৈ এমাহমান অহা-যোৱা কৰিবলগীয়াত্ত পৰিছিলো। হাওড়াৰ ঘৰত দুটা-চাইটা চাকৰ-চাকৰণীৰ বাহিৰে দিনৌ গধূলিৰপৰা ৰাতি ৯।১০ বজালৈকে কোনো নাথাকিছিল।

বাটৰ কেঁথাবন খচকতহে জঁয় পৰি আদ্মৰা হৈ থাকে। দিনদিয়েক একেলানিয়ে সিহঁতৰ মূৰত খৰচক নপৰিলে, সিহঁতে মূৰ দাঙি উঠে আৰু বাটৰ চিনকে মাৰি পেলায়। গধূলি তিনি-চাৰি ঘণ্টা সময় উদংমুৰীয়া হৈ থাকিবলৈ পাই আমাৰ ঘৰৰ লগুৱা-লিগিৰী কেইটা ঠন ধৰি উঠিল। সিহঁতৰ গাত তেলে ধৰিলে আৰু মনত নানা ৰৰ সৰু মতলৱ খেলাবলৈ ধৰিলে। মতলৱ কাৰ্য্যত পৰিণত কৰিবৰ নিমিত্তে সিহঁতে বজাৰৰ পৰা ন ন গঁচাৰকাঠী আনি, পেৰা-পেটাৰি মেলি, তাৰপৰা ধনৰিত আৰু সিহঁতৰ পছন্দমতে ভাল ভাল কাপোৰ-কানি লাহে লাহে সৰকাবলৈ ধৰিলে। প্ৰথম দিনদিয়েকলৈকে আমি সিহঁতৰ এই ষড়যন্ত্ৰৰ গমকে ধৰিব পৰা নাছিলোঁ। হোলাৰ ভাই মোলা হৈ সৰ্ব্বতিকাল সিহঁতক বিশ্বাস কৰি ঘৰ এৰি দি যেনেকৈ গৈছিলোঁ তেনেকৈ গৈয়ে আছিলোঁ। আমাৰ অসাৱধানতাৰ আঁৰত যেতিয়া সিহঁতৰ দেওপাৰণি বাঢ়িল, তেতিয়াহে এদিন আমাৰ চকু মেল খালে। দেখিলোঁ আমাৰ ঘৰত চৌৰ্য্যকাৰ্য্য বঢ়িয়াকৈয়ে বৃদ্ধিপ্ৰাপ্ত হৈছে। তেতিয়া আমাৰ ধুমধুপাল আৰম্ভ হল। সেই বস্তুটো ক'লৈ গল? নাই। এই বস্তুটো কলৈ গল? —নাই। কাপোৰৰ আলমাৰিৰ কাপোৰবোৰ লাংখা-লিংখি কৰিলে কোনে? সেই চোলাটো, সেই চুৰিয়াখন, সেই কাপোৰখন কলৈ গল? অলঙ্কাৰৰ পেৰাৰপৰা, হাতনি পেৰাৰপৰা অলঙ্কাৰ আৰু ৰূপৰান কলৈ গল?—নাই। এনে বিধৰ আন্দোলনেৰে তেতিয়া আমি ঘৰ খলক লগালোঁ। কোৱা বাহুল্য যে আমাৰ 'বিশ্বাসী' লগুৱা আৰু লগুৱানীহঁতেও ধুমধুপালত সম্পূৰ্ণৰূপে যোগ দি নিজৰ নিৰ্দ্দোষিতা প্ৰমাণ আৰু প্ৰচাৰ কৰিবলৈ ধৰিলে আৰু যাতে আমাৰ সন্দেহৰ চকু সিহঁতৰ ওপৰত নপৰে, তাৰ অৰ্থে, বাহিৰৰপৰা অহা চোৰৰ সম্পূৰ্ণ সত্তৰপৰ বিষয়ে কল্পনা, অনুমান, ব্যাখ্যাবাদ, বিচাৰ, সিদ্ধান্ত আৰু মত থিৰ কৰি দেখুৱাবলৈ ধৰিলে। কিম্বদন্তিত প্ৰচলিত শ্ৰীযুত হোলা কোন আছিল, কব নোৱাৰোঁ, কিন্তু বৰ্ত্তমান ক্ষেত্ৰত যে তস্য ভ্ৰাতা শ্ৰীমান মোলা—এই প্ৰবন্ধ লিখক—সোঁশৰীৰে বিদ্যমান আছিল, সেইটো নিৰ্ভুল আৰু তেৱেঁই মোলাৰ ভূমিকাৰ ভাও অতি সুচাৰুৰূপে দিছিল। তেওঁ নিজে ভাবিবই নোৱাৰিছিল আৰু আনে কলেও নামানিছিল যে তেওঁৰ দেখাত অতি নিৰ্দ্দোষী ভৃত্যমণ্ডলীয়েই এই চৌৰ্য্যাভিনয় নাটকৰ প্ৰধান অভিনেতা অভিনেত্ৰী। পুলিচত খবৰ দিয়া হ'ল। পুলিচে বৃত্তান্ত শুনি আদ্যোপান্ত ঘটনাৱলী বিজাই মিলাই ভৃত্যমণ্ডলীৰ প্ৰশ্নোত্তৰ লেখি লৈ বিচাৰ-বিবেচনা কৰি সিহঁতৰ ওপৰতে সম্পূৰ্ণ সন্দেহৰ চকু দিলে। আনকি দুই-এটাক গিৰিপ্তাৰ কৰি লৈ যাবও খুজিলে, কিন্তু মিষ্টৰ মোলাই সেই সন্দেহৰ কথা শুনি জিকজিকাই উঠিল আৰু পুলিচক সেই ফালে মুখকে কৰিব নিদিলে। কাৰণ তেওঁৰ বিশ্বাস আছিল, তেওঁৰ ভৃত্যমণ্ডলটি আকাশৰ সপ্তৰ্ষিমণ্ডলৰে তেওঁৰ ঘৰত দ্বিতীয় তাণ্ডৱণ। তেওঁৰ গঢ় দেখি পুলিচ বিৰক্ত হৈ উভতি গুচি গল; আৰু তাৰ পিছতো সেই নাটকৰ নিৰ্ব্বিঘাত অভিনয় দিনৌ চলিবলৈ ধৰিলে। দিনৌ পুৰা নতুন নতুন গঢেৰে চুৰি আত্মপ্ৰকাশিত হবলৈ ধৰিলে। এদিন নহয়, দুদিন নহয়, দীঘল তিনিমাহ সেইদৰে চলিল। শেষত বন্ধু-বান্ধৱৰ পৰামৰ্শ গ্ৰহণ কৰি বজাৰৰপৰা এটা বন্দুক কিনি আনিলোঁ,—চোৰক ভয় দেখুৱাবলৈ। বাস্তৱিকতে মোৰ হাতত বন্দুক দেখি প্ৰথমতে চোৰ-সংঘ সশঙ্কিত হল; আৰু সিহঁতে সিহঁতৰ অভিনয়, বন্ধ নহয়, স্থগিত কৰি, বন্দুকধাৰী গিৰিহঁতৰ আলেখলেখ চাবলৈ ধৰিলে। দুদিন চাৰি দিনৰ মূৰতে তীক্ষ্ণবুদ্ধি সম্পন্ন ভৃত্যমণ্ডলীৰ আৰু বুজিবলৈ বাকী নাথাকিল যে হৰিণাৰ মূৰত প্ৰকাণ্ড শিং যেনে সিহঁতৰ গৰাকীৰ হাততো বিভীষণ বন্দুক তেনে। নিশ্চয় সিহঁতে সেইদেখি গৰাকীৰ চকুৰ আঁৰত গৰাকীজনৰ চিকাৰ-কৌশলৰ প্ৰতি নিজৰ নিজৰ বৃদ্ধাঙ্গুষ্ঠি প্ৰদৰ্শন কৰি সন্মান প্ৰদৰ্শন নকৰি নাথাকিছিল। ফলত স্থগিত নাটকৰ পুনৰাভিনয় মহাসমাৰোহেৰে চলিল।

ইয়াৰ পিছত অনেক ঘটনা ঘটিছিল, সেইবোৰ লিখি এই প্ৰবন্ধৰ কলেৱৰ বৃদ্ধি কৰিবলৈ গলে, আলহীক ভোজ খাবলৈ মাতি, মহাভাৰতৰ অধ্যায় এটাকে মাথোন শুনাই খুৱাবলৈ পাহৰি বিদায়

দিয়াৰ নিচিনা হব। আৰু 'আৱাহন'ৰ পাঠক-পাঠিকাই মৃগয়া লেখকৰ ব্যৱহাৰ দেখি তেওঁক গালি পাৰি নিজৰ নিজৰ ঘৰলৈ উভতি গৈ, ঘৰত থকা কোমলচাউল একোমুঠিকেই লবালৰিকৈ তিয়াই হুটাকৈয়ে খাব লাগিব, নাইবা টেকেলিত থকা লোৱাপিঠাগুৰিত পানী দি এখাবোচ গুৰ সানি ভোজন কৰি শয়ন কৰিব লাগিব। মুঠতে কওঁ যে আগ্নেয়াস্ত্ৰ অৰ্থাৎ বন্দুকৰে সৈতে মোৰ এই প্ৰথম পৰিচয়। প্ৰথম দৰ্শনত ওপজা প্ৰেম প্ৰায়ে নিটিকে। কিন্তু মোৰ এই প্ৰেম, অকল টিকিল যে এনে নহয় শেহত সি ঘনিষ্ঠতাত পৰিণত হল অৰ্থাৎ হলিগলি অৱস্থাত পৰিলগৈ।

(২)

মহাযুদ্ধ চাৰি বছৰ চলিছিল। তাৰ দুবছৰৰ ভিতৰতে মোৰ স্বাধীন ব্যৱসায়ৰ দিনকদিনে পৰালি পৰি আহিবলৈ ধৰিলে। চেগুণ কাঠৰ ব্যৱসায় অলপ ডাঙৰকৈ কৰিবলৈ হলে অনেক ধন লাগে। ডাঙৰকৈ নকৰিলে ডাঙৰ পেটৰ কথাই নাই, নিয়মীয়া পেটো ভৰোৱা টান। মোৰ দুৰ্ভাগ্যবশতঃ সৰুৰে পৰা মোৰ পেট ডাঙৰভাৱে লালিতপালিতহৈ ডাঙৰ হৈ পৰিছিল অলপ-অচৰপত মোৰ পেটৰ খুদখহৰ খজুৱতিয়ে নমৰা হল।

ব্ৰহ্মদেশৰ পৰা চেগুণ কাঠ আহে। ব্ৰহ্মদেশত য়ুৰোপীয় সদাগৰসকলৰ সেই ব্যৱসায় এক প্ৰকাৰে একচেটীয়া অৰ্থাৎ অকলশৰীয়া। তেওঁলোকৰ য়ুৰোপীয় এজেণ্ট, কলিকতা মাদ্ৰাজ, বোম্বাই আৰু কৰাচী আদি ঠাইত থাকে। সেই এজেণ্টসকলো ডাঙৰ ডাঙৰ সদাগৰী ফাৰ্ম্ম। কাঠৰ ব্যৱসায় কৰোঁতা সৰহভাগ ভাৰতীয়ই তেওঁলোকৰ মাৰ্ফত কাঠ আনে। খুচুৰাখাচাৰা দুখন-চাৰিখন কাঠ নহয়, একো একোটা ডাঙৰ 'কনছাইনমেণ্ট' অৰ্থাৎ খেপ। খেপত এশ-আধশ দুশ-পাঁচশ টন কাঠ আহে আৰু তাৰ বেচ দহহাজাৰ, কুৰিহাজাৰ, পঞ্চাশ হাজাৰ টকালৈকে হয়। তেওঁলোকৰ বিশ্বাসী ভাৰতীয় বেপাৰীসকলক এই য়ুৰোপীয় এজেণ্ট সদাগৰ, সকলে ৯০ দিনৰ কবালত সেই কাঠ ধাৰে দিয়ে। যিদিনা সেই কাঠৰ দাম সম্পূৰ্ণ পৰিশোধ কৰাৰ কথা হয়, সেই দিনা সেই টকা দিব নোৱাৰিলে বেপাৰীৰ ইজ্জত নাথাকে আৰু ভৱিষ্যতলৈ তেওঁ কাঠ ধাৰে নাপায়। তাৰ উপৰি ধন-সম্পত্তি তেওঁলোকে আদালতত নালিচ কৰি লব পাৰে। আমি দেশী বেপাৰীবোৰে য়ুৰোপীয় এজেণ্টৰ পৰা ওপৰত কোৱা দৰে কাঠকিনি কলিকতাৰ আৰু আন আন ঠাইৰ সৰু সৰু বেপাৰীক বেচোঁহক। কিন্তু অধিকাংশ সময়ত আমিও সেই বেপাৰীসকলক ধাৰে বিক্ৰী কৰিবলগীয়াত পৰোঁ, কাৰণ তেনেকুৱাটোৱেই প্ৰচলিত দস্তুৰ নহলে আমাৰ ব্যৱসায় অচল হয়।

যুদ্ধত প্ৰথম চোখৰত জাৰ্ম্মানিৰ প্ৰতাপ আৰু ইংলণ্ডৰ পৰিতাপ দেখি আমাৰ দেশী মানুহৰ অনেকে যাইকৈ লেখা-পঢ়া কম জনা বা নজনাবোৰৰ ভিতৰৰ বহুতে ভাবিছিল, যে কিজানি ইংৰাজৰ ৰাজত্বৰ গুৰ পৰেই। আমি কাঠ ধাৰে দিয়া সৰু সৰু বেপাৰীবোৰে ভাবিলে, যদি দেশত তেনে গোলযোগ উপস্থিত হয়েই তেন্তে "কাৰ টকা কোনে ধাৰে?" ইয়াকে ভাবি তেওঁলোকে দিবলগীয়া দিনত টকা নিদি, আজি দিম, কাইলৈ দিম কৰিবলৈ ধৰিলে আৰু অনেকে নিজৰ কাঠৰ গোলা সামৰি ধনবিত্ত লৈ নিজৰ গাঁও-ভুঁইলৈ পলায়ন্‌ কৰিলে। অথচ ইফালে আমি আমাৰ য়ুৰোপীয় জাহাজৰ এজেণ্টক কবালমতে দিবলগীয়া টকা দিবলগীয়াত পৰিলোঁ। ডাঙৰ মহাজন বা ব্যৱসায়দাৰৰ কথা সুকীয়া; কুৰি হাজাৰ পঞ্চাশ হাজাৰ টকা তেওঁলোকৰ বহুহে থাকিলেও তেওঁলোকে কাম চলাই গৈ থাকিব পাৰে। কিন্তু এই লেখকৰ ধনৰ মোনা দীঘল নাছিল, গতিকে তেওঁ শোটমোট খাই পৰিল। এবছৰমানৰ ভিতৰতে তেওঁৰ ব্যৱসায়ৰ ফল অচল হল। তেওঁৰ গাড়ী-ঘোঁৰাকে আদি কৰি ঘৰ-সংসাৰ চলোৱা আড়ম্বৰ আগৰ দৰেই সমানে থাকিল অথচ ঘৰৰ চাকিত তেল চুকাল। মনত আছে, একো একোদিন পুৰণি ষ্টেটছ্‌মেন, খবৰকাকত বেচিহে তেওঁ বজাৰৰ খৰচ চলাব পাৰিছিল। নিৰুপায় অৱস্থাত ধৰুৱাবোৰৰ ওপৰত আদালতত মোকৰ্দ্দমাৰ মালা গুথি আঁৰি দিয়াটোকে থিৰ কৰি আঁৰি দিয়া হল। কিন্তু দেৱানী মকৰ্দ্দমা, আজি কৰিলেই যে কাইলৈ সি টকাৰ পোৱালী জগাব এনে নহয়। গতিকে সেইফালেও সোণকালে পোহৰৰ জিলিঙনি দেখা নগল। অৱশ্যে ভালেমান দিনৰ মূৰত গোচৰৰ ফলৰ কিছুমান হাতে চুকি পোৱা ধৰুৱাৰ পৰা ধন আদায় হল যদিও সৰহখিনি ধৰুৱাৰ ধন আধাডুনি পানীত বুৰিল। গোচৰ কৰি যিবোৰৰ পৰা ধন আদায় কৰিব পাৰিছিলো, সেই ধৰুৱাবোৰে অৱশ্যে ভালকৈয়ে শিক্ষা পাইছিল। বেঙে হেনো কেতিয়াবা সাপৰ পৰা ধন ধাৰে লৈছিল, ধাৰিধা সাপে গাতৰ পৰা ওলাই বেঙক ধাৰ সাধিলে, বেঙে প্ৰথমতে এই বুলি ভাবুকি দিয়ে—"কাৰ কড়ি কোনে ধাৰে? কাৰ কড়ি কোনে ধাৰে?" কিন্তু সাপে যেতিয়া বেঙৰ টোঁটোঁত ধৰেছি, তেতিয়া বেঙে কাতৰ কণ্ঠেৰে কয়—"টকা নে-এ-এ! টকা নে-এ-এ—।"

মই ভাবিলোঁ, মোৰ ব্যৱসায়তো গলেই এতিয়া কিং কৰ্ত্তব্যং? পালে এটা চাকৰিকে কৰা উচিত; নতুবা "ভোজনং যত্ৰ তত্ৰচ, শয়নং গোমতী তীৰে,

ৰা গজাতীৰে।” বাৰ্ডকোম্পানীৰ টিম্বৰ আৰু আন আন আন গোটাচেৰেক ডিপাৰ্টমেণ্টৰ বৰচাহাব মিষ্টৰ কাৰ্কপেট্ৰিকেৰে সৈতে চিনাকি হৈ তেওঁৰ আগত মোৰ দুখৰ কাহিনী ক'লত, তেওঁ মোক তেওঁ-লোকৰ ফাৰ্মত চাকৰি এটা দি সহায় কৰিবলৈ গাত ললে। বাৰ্ডকোম্পানীৰ ঘাই বৰচাহাব আইৰণ ছাইডৰ ওচৰলৈ তেওঁ মোক লৈ গল। আইৰণ ছাইডে মোক দেখি-শুনি মোৰে সৈতে কথাবাৰ্ত্তা কৈ সন্তুষ্ট হৈ, জষ্টিচ্ ছাৰ আশুতোষ চৌধুৰীৰ পৰা মোৰ বিষয়ে এখন চিঠি আনিবলৈ মোক কলে। সেই চিঠি অনায়াসে আনি দিলত তাৰ পিছ দিনাৰ পৰা তেওঁ-লোকৰ ফাৰ্মত মিষ্টৰ কাৰ্কপেট্ৰিকৰ তলত মোক কাম কৰিবলৈ মিষ্টৰ আইৰণছাইডে মোক হুকুম দিলে। মোৰ দৰমহা হল ১৫০ টকা। যদিও তেতিয়া মোৰ ঘৰৰ চাকৰ-নাকৰ, কচোৱান-চহিচ আৰু কেৰাণীৰ দৰ্ম্মহা গোটালে দুশ টকাৰো ওপৰে মই মাহেকত দিব লাগিছিল, তথাপি মই এই দৰ্ম্মহাকে স্বীকাৰ কৰি, বেজাঁটো হৈ ফাৰ্ম্মত সোমাই লবলৈ খিৰ কৰি বাৰ্ডকোম্পানীৰ বৰচাহাবক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ১৯১৬ চনৰ পৰা ১৯১৭ চনলৈকে প্ৰায় এবছৰ মই বাৰ্ড কোম্পানীৰ কলিকতাৰ অফিচত কাম কৰোঁ। কোম্পানীয়ে মাহেকত দুবাৰ তিনিবাৰকৈ দহ-বাৰ দিনৰ নিমিত্তে মোক “চিভিল-চেনিটৰি” আৰু “টিম্বৰ বিজনেছৰ” উন্নতিৰ নিমিত্তে “কেনভেছাৰৰূপে” চাৰিওফালে মফচ্ছললৈ পঠিয়াইছিল। আৰু সেই আলমতে মই বঙ্গ, বিহাৰ, উৰিষ্যা আদি অনেক ঠাইত ফুৰিছিলোঁ। বঙ্গ দেশৰ চান্দপুৰ, চিটাগং, বৰিশাল আদি ঠাইত, উত্তৰ আৰু দক্ষিণ বেহাৰত, সিফালে এলাহাবাদ পৰ্য্যন্ত, আৰু ইফালে নাগপুৰ, বিলাসপুৰ, ৰায়পুৰ, সম্বলপুৰ, আদি ঠাইত মই ঘূৰি ফুৰিছিলোঁ।

১৯১৭ চনৰ শেষ ছোৱাত সম্বলপুৰৰ বাৰ্ডকোম্পানীয়ে বেহাৰ-উৰিষ্যা গৱৰ্ণমেণ্টৰপৰা পাঁচ বছৰৰ নিমিত্তে বন্দবস্ত কৰি জংঘল ললে। তাৰ আগেয়ে মই সম্বলপুৰলৈ আহোতে ডিভিজনেল ফৰেষ্ট অফিচৰৰে সৈতে দেখা কৰি সেই বিষয়ে ঠিক কৰিছিলোঁ। জংঘল লোৱা হলত বাৰ্ডকোম্পানীয়ে মোক তেওঁলোকৰ জংঘলৰ কাম ‘মেনেজ’ কৰিবৰ নিমিত্তে সম্বলপুৰলৈ পঠিয়াই দিলে, আৰু মোৰ দৰমহা ২০০ টকা হল। তাৰ উপৰি মোৰ থকা ঘৰৰ কেৰেয়া, চাকৰ, চাপ-ৰাচীৰ দৰ্ম্মহা আৰু গাড়ীৰ খৰচ কোম্পানীয়ে দিছিল। ১৯১৭ খৃষ্টাব্দৰ ছেপ্তেম্বৰ মাহত মই সম্বলপুৰলৈ উঠি আহিলোঁ। ইয়াৰ ছমাহমানৰ পিছতে মিষ্টৰ কাৰ্কপেট্ৰিকে বাৰ্ডকোম্পানীৰ ইঞ্জিনিয়াৰিং ডিপাৰ্ট-মেণ্টৰ বৰচাহাব মিষ্টৰ ডফৰ লগত লৈ মোৰ কাম চাবলৈ সম্বলপুৰলৈ আহি মোৰ লগতে মোৰ ঘৰত আছিল। আৰু উভতি যাবৰ দিনা তেওঁ মোৰ দৰ্ম্মহা বঢ়াই ৩০০শ কৰি দি গল। মই বাৰ্ডকোম্পানীৰ ফৰেষ্ট বিজিনেছ্'ত প্ৰায় এঘাৰ বছৰ এই সম্বল-পুৰতে থাকি কাম কৰিছিলোঁ। আৰু মোৰ দৰ্ম্মহা, কমিছন, পিছত আৰু অনেক বাঢ়িছিল, যাৰ বিষয়ে এই প্ৰবন্ধত কোৱাটো অনাৱশ্যক।

কোনো কোনোৱে এইখিনিতে কব পাৰে যে লেখকে তেওঁৰ মৃগয়াৰ কথা কবলৈ গৈ এইখন কি বকলা মেলিলে। মই কওঁ সঁচা। বুঢ়া হলে মানুহ ‘গেবেল্লাহু’ অৰ্থাৎ কথাচহকী হয় ই তাৰে চিন; যদিও যমে আশয় পাব দেখি মই বুঢ়া হৈছোঁ বুলি সৈ নাৰাখো। বুঢ়াক কোনেও কাপ ধৰিবলৈ কোৱাই উচিত নহয়; কলেই সাতকাণ্ড ৰামায়ণৰ লগতে কলঠোকা বাদুলিয়ে খোৱা কথাও বুঢ়াৰ পৰা তেওঁ শুনিবলৈ বাধ্য আৰু তাৰ নিমিত্তে বপুৰা প্ৰস্তুত হৈ থকাই উচিত।

মই সম্বলপুৰলৈ আহিলত বাৰ্ডকোম্পানীয়ে সম্বলপুৰত থকা তেওঁলোকৰ গ্ৰেফাইটৰ কামো মোৰ গাতে জাপি দিলে। সম্বলপুৰত ঘাইকৈ মোৰ হাবিত কাম। হাবি বাঘ, ভালুক, বৰাৰ বাসস্থান; গতিকে মোৰ হাতত বন্দুকৰ বাসস্থান হোৱাটো শাস্ত্ৰসন্মত। এটা দুনলী বন্দুক আৰু এটা ৪০৫ উইনছেষ্টৰ ৰাইফলো কিনি লৈ মই বন্দুক মৰা কল-কৌশলবোৰ শিকি ললোঁ, আৰু এখোজ দুখোজকৈ মৃগয়া নামক ব্যসনত আসক্ত হলোঁ। নিৰীহ চৰাই-চিৰিকতিৰ পৰা আৰম্ভ কৰি ভীষণ জংঘলী জন্তুৰ গালৈকে মোৰ হাত উঠিবলৈ ধৰিলে। হাবিৰ বৰ গছ আৰু মহুৱা গছত হাইঠা জাকে জাকে পৰে বিশেষকৈ বৰ গছৰ ফল পকিলে আৰু মহুৱাৰ ফুল ফুলিলে। বন্দুকৰ গুলী এজাই মাৰি দিলেই তিনিটা-চাইটা হাইঠা টলৰ টলব কৰে সৰি পৰে। হাইঠা খাবলৈকো ভাল। গতিকে জীৱ-হত্যাবিৰাগী পুৰুষজনৰ অচিৰতে জীৱহত্যানুৰাগী হোৱাৰ ফালে আকৰ্ষণ প্ৰবল হৈ উঠিল।

জাৰকালি হিমালয় প্ৰদেশৰ ফালৰ পৰা এই ফালে অনেক জাতৰ ৰাজহাঁহ, পাতিহাঁহ আহি মহানদী আৰু বিল, বদ্ধ পুখুৰী প্ৰভৃতিত পৰেহি। খিতুৰাজ, লালমুৰী, হুইচ্লিংটিল, কটন্‌তিল, চাকৈচকোৱা, খিলাহাঁহ, ডাউক, কোঁৱা, কামচৰাই ইত্যাদিয়ে কোঢ়াল কৰে আৰু জলচৰ জন্তু মাছ, পোক শামুক আৰু উদ্ভিদ জাতীয় পদুম, ভেট, শেলুক, শিঙৰি দল-ঘাঁহ ইত্যাদিৰ শান্তি ভঙ্গ কৰে। লাহে লাহে মই সেইবোৰৰ ওপৰত গুলী চলাই নৈ, বিল, পুখুৰীবাসী ‘নয়েল’ প্ৰাণীবোৰৰ শান্তি ৰক্ষাৰ নিমিত্তে ‘ল এণ্ড-

অৰ্ডৰ'ৰ সন্মান ৰক্ষা কাৰ্য্যত অভ্যস্ত হলোঁ। আমাৰ ঘৰৰ ৰাণীৰ অনুগ্ৰহ-নিগ্ৰহৰ ওপৰত এই লেখকৰ ভোজানানন্দ বা নিৰানন্দ ঘটে। তেখেত আৰু তেখেতৰ লোণ খোৱা ভৃত্যবৃন্দই এই শান্তি-ৰক্ষকৰ "বিক্ৰম দেখি, পৰম বিস্ময় মনে" আহ্লাদেৰে চৰাইৰ মঙহ লগেভাগে ভোজন কৰি তৃপ্তি লাভ কৰি শান্তিৰক্ষকক উৎসাহিত কৰিবলৈ ধৰিলে। ফলত অচিৰতে এই বৃত্তান্তলেখক এজন লেখত লবলগীয়া চিকাৰী হৈ উঠিল।

চৰাই মৰাৰ পিচতে যেতিয়া চৰাইটো ধৰি তুলি আনো—বিশেষকৈ হাইঠা, তাৰ ৰক্তাক্ত শৰীৰ দেখি তেতিয়াও মোৰ মনতো যে ভালকৈয়ে আঁচোৰ লাগি ৰক্তৰ ফল্গু নৈ নবৈছিল এনে নহয়। মনটো দৃঢ় কৰিবৰ নিমিত্তে কালিদাসৰ শকুন্তলা নাটকৰ পৰা দিনদিয়েক এই শ্লোকটো মাতিবলৈ ধৰিলোঁ,—

মেদশ্চ্ছেদকৃশোদৰং লঘু ভৱত্যুৎসাহযোগ্যং বপুঃ
সত্ত্বানামপি লক্ষতে বিকৃতিমচ্চিত্তং ভয়-ক্ৰোধয়োঃ।
উৎকৰ্ষঃ স চ ধন্বিনাং যদিষৱঃ সিধ্যন্তি লক্ষ্যে চলে
মিথ্যৈৱ ব্যসনং ৱদন্তি মৃগয়ামীদৃগ্বিনোদঃ কুতঃ॥

অৰ্থাৎ,—মৃগয়াৰ দ্বাৰা মেদ কমি যোৱা বাবে পেট সৰু হয়, শৰীৰ পাতল আৰু উৎসাহবিশিষ্ট হয় আৰু জীৱবোৰৰ ভয় আৰু ক্ৰোধ হলে সিহঁতৰ কেনেকুৱা চিত্তবিকাৰ হয়, সেইবোৰো জানিব পৰা যায় আৰু জন্তুবোৰ লৰি যাওঁতে লক্ষ্যভেদ কৰিব পাৰিলে, চিকাৰীৰ মনত আনন্দও হয়। এতেকে মনু-প্ৰভৃতি শাস্ত্ৰকাৰসকলে যে মৃগয়াক ব্যসন বুলি দোষ দিছে, সেইটো অযথাৰ্থ। মৃগয়াৰ নিচিনা আমোদ আন একোতে নাই।

আচৰিত শ্লোক-মন্ত্ৰৰ মহা গুণ পৰিলক্ষিত হল আৰু জীৱ-জন্তু ৰক্তাক্ত শৰীৰ দেখিলে মোৰ মনত ফুটা পানীজোলাবোৰ কাঠ বান্ধিবলৈ ধৰিলে। সেই পৰিমিত মই চাৰিঠেঙীয়া জন্তুৰ ওপৰত গুলী চলাবলৈ চল পোৱা নাছিলোঁ। হাবিলৈ যাওঁ কিন্তু মোৰ লগত যোৱা চাপৰাচীৰ কান্ধত সদায় বন্দুক দিহে যাওঁ, নতুবা "পাদমেকং নগমিষ্যামি।"

এদিন পুৱা আঠমান বজাত হাবিৰ পৰা, টঙাত উঠি সম্বলপুৰৰ ফালে আহিছিলো। হাবিৰ মাজৰ বাটতে দেখিলোঁ মোৰ আগেদি আলিৰ ইপাৰৰ পৰা সিপাৰলৈ প্ৰকাণ্ড শিং থকা কুটুকাকুটুকী পহু এটা যাব লাগিছে আৰু পাছে পাছে পাঁচজনী মাইকী পহু। মোৰ টঙাৰ সৰু খেদোৱা মানুহটোৱে হঠাৎ টঙাখন ৰাখি মোক কলে, "হজুৰ! চিতল, চিতল মাৰিয়ে।" মই জবালবিকৈ বন্দুকটো লৈ টঙাৰ পৰা জুৰিব হলোঁ। পহু কেইটাই তেনেকুৱা লাগি মোৰ ফালে চাই ৰ'ল। ভাবিলোঁ একে গুলীয়ে মতাটো ওকৰাই দিওঁ। চৰকাৰী আইনমতে মাইকী পহু মাৰিব নাপায়। মই বন্দুকটো মতা পহুটোৰ ফালে টোৱাই বন্দুকৰ ঘোৰাটো তুলি লৈ আছোঁ, কিন্তু গুলী এৰি দিয়া নাই। টঙাৱালাটোৱে ব্যস্ত হৈ কুচকুচাই ক'লে, "হজুৰ! কায়াৰ কৰিয়ে, কৰিয়ে।" মই কিন্তু কায়াৰ নকৰি পহুকেইটাৰ আলেখলেখ চাই সামাজিক তত্ত্বৰ মীমাংসাত প্ৰবৃত্ত হলোঁ। যথা, মই কি কৰিবলৈ গৈছোঁ! শিঙাল মতা পহুটো Polygamous অৰ্থাৎ বহুবিবাহকাৰী। যদি তাক মই নিষ্ঠুৰভাৱে হত্যা কৰোঁ, তেন্তে তাৰ এই পঞ্চ মহিষী অনাথা বিধবা হব। ভাৰতৰ পৰা এতিয়াও পলিগেমিৰ অৰ্থাৎ বহুবিবাহৰ উচ্ছেদ সাধন হোৱা নাই; এতেকে ইয়াৰে বা দোষ কি? ক্ষন্তেকৰ উত্তেজনা আৰু সুখৰ নিমিত্তে এনে পাপ কাৰ্য্য কৰাটো মোৰ উচিত হবনে? স্বামীৰ অবিহনে এই অনাথা অবলাহঁতৰ কি গতি হব? ইয়াকে ভাবি থাকোঁতে সিফালে বঙালী বল্লালী কুলিন প্ৰথা সমৰ্থক শিঙাল পহুটো.ৰ একে ডেৱেই হাবিত প্ৰবেশ কৰিলে, আৰু পত্নীবৃন্দইও ততালিকে স্বামীৰ অনুগমন কৰিলে। মই ভোটা হৈ দাৰ্শনিক চিন্তাৰ গতি অতি তীব্ৰভাৱে অৱৰোধ কৰি পুনৰায় টঙাৰোহণ কৰিলোঁ। তাৰ পিছত ভালেখিনি পৰলৈকে মই মোৰ টঙাৱালা-টোৰ মুখৰ ফালে চোৱা নাছিলোঁ। হঠাৎ এবাৰ তাৰ মুখত মোৰ চকু পৰা মাত্ৰকে দেখিলোঁ, তাত মোৰ প্ৰতি বিৰক্তি আৰু সম্ভৱতঃ ঘৃণাৰ ভাব।

১৯১৭ খৃষ্টাব্দৰ অক্টোবৰ মাহত প্ৰথমতে মই মেষপাল নামৰ ঠাই এডোখৰৰ এখন জংঘলত মোৰ কাম আৰম্ভ কৰিলোঁ। মেষপাল সম্বলপুৰৰ পৰা প্ৰায় ত্ৰিশ মাইল দূৰত। তাৰ জংঘলখনৰ নাম পৰ্চলিখা-নম। পৰ্চলি ডাঙৰ জংঘল। তাত তিনি বছৰ মোৰ কাম চলিছিল। যাইকৈ ৰেলত ব্যৱহাৰ হোৱা শ্লীপৰ, হাবিত কাটি উলিয়াই, সেই শ্লিপৰ গৰুৰ গাড়ীৰে সম্বলপুৰৰ ৰেলৰ ষ্টেছনৰ কাষৰ আমাৰ কাঠৰ ডিপোলৈ পঠিয়াই, তাত ৰেলৰ ইঞ্জিনিয়েৰৰ দ্বাৰাই পাছ কৰাই দিয়াটোৱেই মোৰ মাই কাম আছিল। কওঁতে একে উশাহতে কথাবোৰ কৈ গলোঁ কিন্তু কাৰ্য্যত ই বাৰিষা ভৰা ব্ৰহ্মপুত্ৰত চুটীয়া নাৱেৰে পাৰি দিয়াৰ নিচিনা। ইমান আহুকলীয়া কাম যে, সেই আহুকালবোৰৰ কথা ক'লে ওৰ নপৰে।

মোৰ হেডকোৱাৰ্টৰ অৰ্থাৎ আচল থকা ঠাই হল সম্বলপুৰ। মেষপাললৈ গৈ তাত থাকি হাবিৰ কাম চাবৰ নিমিত্তে তাতো এটা ডাঙৰ বঙলা সজাই লৈছিলোঁ। বঙলাটো ভালকৈয়ে কৰাইছিলো, কাৰণ সি অন্ততঃ তিনি বছৰ বাসোপযোগী হব লাগিব আৰু তাৰ উপৰি বাৰ্ডকোম্পানীৰ বৰচাহাৰ

ছোটচাহাবৰ মাজে মাজে আহি তাত থাকি হাবিৰ কাম পৰীক্ষা আৰু সেই সুযোগতে চিকাৰ কৰিবলৈ আহিবৰ কথা। কাৰ্য্যত তেনে ঘটিছিলো।

যাহেকত তিনি-চাৰিবাৰকৈ সম্বলপুৰৰ পৰা মেষ-পাললৈ গৈছিলোঁ। যাবৰ বাহন টঙা। টঙা হৈছে, বলদ গৰু এহালেৰে টনা, এইফালে আৰু চেণ্ট্ৰেল প্ৰভিঞ্চৰ ফালে প্ৰচলিত এবিধ গাড়ী। ভাল বলদ গৰুহাল হলে, টঙাক ঘোঁৰাৰ গাড়ীয়েও চেৰ পেলাব নোৱাৰে। আজিকালিহে মটৰ গাড়ীয়ে দেশ জুৰি পৰিছে। কিন্তু সেই কালত টঙাৰ চলুতিহে বেছি আছিল। পৰ্ব্বতীয়া ঠাইত ঘোঁৰাৰ গাড়ীতকৈ গৰুৰ টঙাহে বেছি কাৰ্য্যকৰা। পিননি বাটত ঘোঁৰা সোণকালে খোৰা হয়; কিন্তু গৰু নিপৰোৱা। মই টঙাৰে সম্বলপুৰৰ পৰা মেষপাললৈ দুদিনে গৈছিলোঁ আৰু দুদিনে উভতি আহিছিলো। মাজে মাজে সপৰিবাৰে সৰু টাটু ঘোঁৰা এটা মোৰ বৰজনী আৰু মাজুজনী ছোৱালীক কিনি দিছিলোঁ। সিহঁতৰ এজনীয়ে আমাৰ টঙাৰ লগে লগে ওচৰে ওচৰে ঘোঁৰাত উঠি গৈছিল।

ঘামকালি এদিন আমাৰ মেষপালৰ বঙলাতে আবেলি বেলিকা চাহ খাই আছিলোঁ এনেতে মানুহ এটাই লৰি খবৰ দিলেহি যে ওচৰৰে খাল এটাত ভালুক এটাই পানী খাইছেহি। খপ্‌কৰে বন্দুকটো হাতত লৈ মই ভালুক মাৰিবলৈ উঠিলোঁ। আৰু যেই উঠা, গৃহিণী আৰু তেওঁৰ যুগল কন্যাৰত্নই মোক সাৱটি মাৰি ধৰিলে, যাব নিদিয়ে। মই যাবলৈ যিমান চেষ্টা কৰিলোঁ সিমান এই স্ত্ৰী ত্ৰিমূৰ্ত্তিৰ হাতত কট্‌কটীয়া ভাবে বন্দী হৈ পৰিলো। শেহত তেওঁলোকে মানুহ পঠিয়াই ভালুকটো হুৰাইদি খেদাই পঠিয়াইহে মোক তেওঁলোকৰ বহু-বন্ধনৰ পৰা মুক্তি দিলে।

আৰু এদিন সন্ধ্যা লাগি ভগাৰ সময়ত আমি মেষপালৰ বঙলাত বহি থাকোতে হাই-উৰুমি আৰু ভগাটিনত কোব শুনিলো। আৰু কিছুমান মানুহে হাতত ধানখেৰৰ জুমুধিত জুই লগাই লৈ লৰি ফুৰা দেখিলো। ব্যাপাৰটো কি বুলি ভু ললত জানিবলৈ পোৱা গ'ল যে বনৰীয়া হাতী এটাই ওচৰতে ধাননিত সোমাই ধান খাব লাগিছে। যেই শুনা, তৎক্ষণাৎ এই মহাবীৰে বন্দুকলৈ সেইফালে চোচা লব খোজোঁতেই আকৌ সেই পূৰ্ব্বণি ভালুক ব্যাপাৰৰ পুনৰাভিনয় হ'ল, পূৰ্ব্ববতে বন্দী হ'ল।

এদিন পুৱা ৯ মান বজাত মই আমাৰ বঙলাৰ প্ৰায় আধা মাইল দূৰৰ হাবিত সপৰিবাৰে ফুৰিবলৈ গৈছিলোঁ। ইচ্ছাটো, যদি বনৰীয়া কুকুৰা চৰাই দেখোঁ, মাৰিম আৰু আনি দস্তৰমতে ভোজন কৰিম। এটা চাপৰাচীৰ হাতত মোৰ বন্দুকটো দি যাবলৈ ধৰিলোঁ। চাপৰাচীটো যদিও আমাৰ পাছে পাছে আহিছিল, তথাপি সি অলপ পাছু পৰিল। মই মোৰ গৃহিণী আৰু ছোৱালী তিনিজনীৰে সৈতে সৰু পৰ্ব্বত এটাৰ ওপৰত উঠি পিল এটাৰ ওপৰতে অলপ থিয় দিছোঁ এনেতে দেখিলোঁ এটা ভীষণ বুঢ়া ভালুক ওলাই আহি আমাৰ আগেদি গজগতি গমনেৰে যাবলৈ ধৰিলে। বন্দুক আন, বন্দুক আন, বুলি মই চাপৰাচীটোক যিমান পাৰো লাহে লাহে মাতোঁহে মাতোঁ, সি ওচৰকে পোৱাহি নাই। ভালুকটোৱে আমাৰ কটাক্ষ কৰি চাই তুচ্ছ-তাচ্ছিল্য প্ৰদৰ্শন কৰি ধীৰ মন্থৰ গতিৰে হাবিত প্ৰৱেশ কৰি অদৃশ্য হ'ল। সৌভাগ্যগুণে মোৰ বীৰত্বৰ বিকাশৰ সুযোগ নঘটিল। সৌভাগ্যগুণে বুলিছোঁ এইবাবে যে বন্দুকটো মোৰ চাপৰাচীৰ হাতত আছিল আৰু সি কিছু দূৰ পাছ পৰি আহিছিল। যদি বন্দুকটো মোৰ হাতত থাকিলহেঁতেন তেন্তে আগগুৰি নাভাবি মই ভালুকৰ গালৈ গুলী মাৰি দিলোঁহেতেন। গুলী তাৰ মৰ্ম্ম-স্থানত নপৰি য'তে-ত'তে লগাহেঁতেন, সি অলপ অচৰপ জখম হলহেঁতেন যদিও কিন্তু উভতি ধৰি আমাক আক্ৰমন নকৰি নেৰিলেহেঁতেন। ফলত কাৰ কি হলহেঁতেন নেদেখা জনেহে তাক জানিব পাৰিছিল। ভালুক বৰ লেকেটীয়া জীৱ। আচল ঠাইত নালাগিলে দুই-চাৰি গুলীত সি নমৰেই। গুলী-খোৱা ভালুকে খঙত আগত যাকে পায় তাকে আক্ৰমন কৰে। অনেক সময়ত খেদা-চিকাৰত দেখিছোঁ দুটা কি তিনটা ভালুক অগাপিছাকৈ যাব লাগিছে। গছত বন্ধা ওখ চাঙৰ ওপৰৰ পৰা প্ৰথমটোক গুলীয়ালোঁ। সি গুলী খাই আগত কাকো নেদেখি উভতি পাচলৈ চাই তাৰ লগৰীয়া ভালুক-টোক দেখি ভাবিলে যে সেই পাছৰটোৱে তাক আক্ৰমন কৰিছিল। তৎক্ষণাৎ সি পাচৰটোৰে সৈতে তুমুল সংগ্ৰামত প্ৰবৃত্ত হ'ল।

(৩)

দুঠেঙীয়া জন্তুত হাত পকাই লৈ এতিয়া চাৰিঠেঙীয়া জন্তুলৈ হেপা মেলিবলৈ মোৰ হেঁপাহ হ'ল। হেঁপাহ দিনকদিনে অদম্য হৈ উঠিল। সম্বলপুৰৰ তিনি চাৰি-জন চিকাৰী বন্ধুৰে সৈতে পৰামৰ্শ কৰি লগ লাগি এখন হাবিত খেদা-চিকাৰৰ (Beat) বন্দবস্ত কৰিলোঁ। সেই বন্ধুকেইজনৰ এজন ডেপুটি মেজিষ্ট্ৰেট এজন একচাইজ চুপাৰিণ্টেণ্ডেণ্ট, এজন তহচিলদাৰ আৰু আনজন চৱৰেজিষ্ট্ৰৰ। চিকাৰ কৰিবলৈ থিৰ কৰা হাবিত সুবিধা বুজি, গছৰ ডালত তিনিখন ওখ চাং সুকীয়াকৈ আঁতৰে আঁতৰে বন্ধোৱা গ'ল। চৱ-ৰেজিষ্ট্ৰৰ চিকাৰী নহয় কিন্তু চিকাৰ চাবৰ তেওঁৰ হেঁপাহ। সেই দেখি একচাইজ চুপাৰিণ্টেণ্ডেণ্টৰ লগত বহুৱাই দিয়া হল। ডেপুটি মেজিষ্ট্ৰেটজন বিখ্যাত

চিকাৰী। তেওঁ অকলেই এখন চাঙত বহিল। তহচিলদাৰৰ হাতত বন্দুক নাছিল, সেইদেখি তেওঁ মোৰ লগতে বহিল। আমি চাঙত উঠি প্ৰস্তুত হৈ ললত, সঙ্কেতমতে 'বিট' অৰ্থাৎ খেদা আৰম্ভ হল। তিনিকুৰিমান "বিটৰে" অথাৎ খেদাকৰা মানুহে অনেক দূৰৰ পৰা হাইছইকৈ আমাৰ ফালে বনৰীয়া জন্তু খেদি আনিবলৈ ধৰিলে। প্ৰথমতে অনেক দূৰৰ পৰা সিহঁতৰ হাই-উৰুমিৰ শব্দ আমাৰ কাণত বিঁণি বিঁণি পৰিবলৈ ধৰি ক্ৰমে ওচৰ চাপি ডাঙৰ হৈ আহিল। আধাঘণ্টামানৰ পিচত দেখিলোঁ মোৰ চাঙৰ কাষতে, দেখিবলৈ খুব সুন্দৰ জন্তু এটি খিয় দি আছে। মই তেনেকুৱা জন্তু আগেয়ে দেখা নাছিলোঁ। দিলোঁ গুলী মাৰি। গুলী লাগি জন্তুটো নিশবদে তাতে বাগৰি পৰিল। তেতিয়াও সিফালে খেদা চলি আছে। খেদা শেষ নহলে ডাঙৰ চাঙৰ পৰা নামিলৈ নমাটো যুক্তিযুক্ত নহয়; সেই দেখি আমি নমা নাই। এনেতে ডেপুটীজনৰ ফালৰ পৰা বাইফোলৰ গুলিৰ আৱাজ ওপৰা-উপৰিকৈ চাৰিবাৰ শুনিলো, আৰু লগে লগে কিবা এটা ডাঙৰ জন্তুৰ নানা ৰকমৰ চিঞৰে হাবিখন তল-ওপৰ কৰিবলৈ ধৰিলে। গোজৰ, গোঁগোৰনি আৰু ডাঙৰ ৰুবতেৰে হাবিত ডাঙৰ কাঠ ফলাৰ নিচিনা শব্দবোৰ আমাৰ কাণত পৰিল। মই তেতিয়াও বুজিব পৰা নাই, সেইটো কি জন্তুৰ চিঞৰ; কাৰণ মোৰ পক্ষে সি নতুন। অলপ পৰ পিচতে একচাইজ ছুপাৰিণ্টেণ্ডেণ্টৰ ফালৰ পৰাও বন্দুকৰ আৱাজ আমাৰ কাণত পৰিল। খেদা কৰা মানুহবোৰে বন্দুকৰ আৱাজ শুনি আৰু বেছিকৈ হাই-উৰুমি কৰিবলৈ ধৰিলে আৰু সিহঁতৰ ভিতৰৰ অতি টেঙৰবোৰ টপ্‌টপ্‌কৈ গছত উঠিল, যদি বাঘ ওলাইছে, এই ভয়ত। ডেপুটি বাবুৰ বন্দুকৰ মাত যদিও বন্ধ হল, কিন্তু গুলীখোৱা জন্তুটোৱে তেতিয়াও চিঞৰি হাবি খলক লগাবলৈ এৰা নাছিল। সেই হাবিখনত যদি বনদেৱীসকল থাকিলহেঁতেন, তেন্তে তেওঁলোকে নিশ্চয় সশঙ্কিত আৰু বিৰক্ত হৈ দূৰৰ কোনোবা বৰ গছৰ তলত এনেকুৱা দুখৰ গীত ধৰিলেহেঁতেন :—

"কে এল আজি এ
ঘোৰ নিশীথে,
সাধেৰ কাননে,
শান্তি নাশিতে।
সুমন্ত বিহগে,
কেনে বধে ৰে,
সঘনে খৰশৰ সন্ধিয়া
ত্ৰাসে চমকিয়ে
হৰিণ হৰিণী,
স্খলিত চৰণে ছুটিছে।" ইত্যাদি (ৰবীন্দ্ৰনাথ)

আমাৰ দ্বাৰাই হাবিৰ শান্তি নাশ ঘটিছিল যদিও সি কিন্তু আৰেলি বেলিকা। গতিকে আমি এক আঙুল কম অপৰাধী।

সিফালে একচাইজৰ বন্দুকে গুডুম গুডুম কৰিয়েই আছে; বিৰাম নাই। কিন্তু সেই ফালৰ পৰা কোনো জন্তুৰ চিঞঁৰ আমাৰ কৰ্ণগোচৰ হোৱা নাই। সমুখৰ ফালৰ পৰা খেদা কৰা মানুহবোৰো আমাৰ ওচৰ চাপি অহা আমি দূৰৰ পৰা দেখিবলৈ পালোঁ। সেই দেখি নিৰ্ভয় মনেৰে তহচিলদাৰ আৰু মই চাঙৰ পৰা নামি এখোজ দুখোজকৈ একচাইজৰ চাঙৰ ফালে যাবলৈ ধৰিলোঁ। এমূৰে মোৰ চাং আৰু সিমূৰে ডিপুটীৰ চাং; একচাইজৰ চাং মাজতে। গৈ দেখিলোঁ, একচাইজ ছুপাৰিণ্টেণ্ডেণ্ট মাটিত খিয় হৈ আছে। আৰু তেওঁৰ আগতে দহ-বাৰ হাতমান দূৰত ভালুক এটাই অনেক গুলী খাই অৱশ হৈ খিয় দি আছে। সি বাগৰিও পৰা নাই অথচ তাৰ গা তেজেৰে তুৰবজি মোক দেখি একচাইজে কলে যে তেওঁৰ কাৰ্টিজ এটাইবোৰ ঢুকাল, কিন্তু ভালুকটো এতিয়াও মৰা নাই; সেই দেখি মোৰ হাতত থকা কাৰ্টিজ গোটাছেৰেক তেওঁক দিব লাগে। মই হাত মেলি দুটা বুলেট কাৰ্টিজ তেওঁক দিলোঁ; তেওঁ বন্দুকত খাজি ললে। ছুবেজিষ্ট্ৰৰ কিন্তু তেতিয়াও চাঙৰ পৰা নমা নাই। তেওঁ চাঙৰ ওপৰৰ পৰাই আমাক কলে,—চাওক ভালুকটো এতিয়াও মৰা নাই। আপোনাসকলে মাটিত থাকি ভাল কাম কৰা নাই। গুলী খোৱা ভালুকে যদি আপোনালোকক ধৰেহি, তেতিয়া কি হব? যেই কথা শুনিলো—মই ভয় খাই লৰি তেওঁ বহি থকা চাঙত উঠিবলৈ গ'লোঁ। চাঙত উঠিবলৈ লগাই থোৱা জখলাটোত ধৰি তাৰ খোপে খোপে উঠি গৈছোঁ, চাং পাবলৈ আৰু এটা কি দুটা চাপ আছে; এনেতে মোৰ ভৰি পিচলিল। তাৰ আগতে মোক চাঙত উঠিবলৈ যোৱা দেখি তহচিলদাৰেও ভয় খাই মোৰ পাছে পাছে জখলাত উঠিছিল। ভয়ত খপ্‌জপাই মই জখলাত উঠাৰ বাবেই মোৰ তেনে হৈছিল। জখলাৰ আদখিনি বাটত থকা বপুৰা তহচিলদাৰকো, মই খহি পৰি মোৰ লগতে বগৰাই আনিলো। খন্তেকতে জখলাৰ গুৰিত মাটিত দুয়ো পোটমোট খাই পৰিলো। অৱশ্যে মই তহচিলদাৰৰ ওপৰত আৰু তহচিলদাৰ মোৰ তলত। সিফালে একচাইজে, মই দিয়া গুলী দুটাৰে ভালুকৰ প্ৰাণবায়ু বহিৰ্গত কৰি দিলে; ভালুক মৰি বাগৰি পৰিল।

ছুবেজিষ্ট্ৰৰ খুছটীয়া মানুহ। তেওঁ খেমেলীয়া কথা কোৱাত কাজী। যেই ভালুকটো মৰিল, তেওঁ নিৰ্ভয় হ'ল আৰু তেওঁৰ হাঁহি আৰু পেংলাইৰ ধুমপাকৰ মুখ মুকলি হ'ল। তেওঁৰ হাহিৰ প্ৰধান উপাদান হ'ল, ক্ষন্তেকৰ আগতে সংঘটিত মোৰ আৰু তহচিলদাৰৰ

ভোটাশলীয়া Somersault অৰ্থাৎ অখলাব পৰা ওলোটাখৰ। মহাআনন্দৰে চাঙৰ ওপৰৰ পৰাই এই বৃত্তান্তৰ অতিৰঞ্জিত বিশদ বৰ্ণনা এক্‌চাইজ ছুপাৰি-ণ্টেণ্ডেণ্টৰ আগত তেওঁ দিবলৈ ধৰিলে। কাৰণ এক্‌চাইজৰ চকু একেবাৰে ভালুকটোৰ ফালে থকাৰ নিমিত্তে তেওঁৰ পাছফালে ঘটা আমাৰ বিলাই-বিপত্তি তেওঁৰ চকুত নপৰিছিল। ঘটনাটোৰ চিত্ৰ-বিচিত্ৰ বৰ্ণনা ছবুৰেজিষ্ট্ৰৰৰ মুখত শুনি আমাৰ দুইৰো হাঁহি উঠিছে অথচ মুখ লাজত ৰঙাও পৰিছে আৰু ছবুৰেজিষ্ট্ৰৰৰো ভালুক নমৰাৰ আগতে শেতা পৰি থকা মুখে তেনে ৰৰণকে ধৰিছে, অৱশ্যে স্বকীয়া কাৰণত, অৰ্থাৎ হাঁহিত ঘটনাটো শুনি মিচিকিয়াই হাঁহি আৰু তাৰ আওভাও বুজি, এক্‌চাইজ তত্তালিকে আমাৰ সহায়ক হ'ল। তেওঁ ছবুৰেজিষ্ট্ৰাৰক চাঙৰ পৰা নামি আহিবলৈ ক'লে আৰু চাঙৰ ওপৰত ছবুৰেজিষ্ট্ৰৰ বাবুৱে যি কীৰ্ত্তি কৰিছিল, তাৰ হাস্য-জনক বৰ্ণনা তেওঁ আমাৰ আনন্দ বৰ্দ্ধন আৰু ছব্‌-ৰেজিষ্ট্ৰৰ উল্লাস কৰ্ত্তন কৰি দিবলৈ ধৰিলে। হেনো চাঙত বহি থাকোঁতে ছবৰেজিষ্ট্ৰৰে এক্‌চাইজ ছুপাৰি-ণ্টেণ্ডেণ্টক কৃতুৰি আছিল, বাঘ বা ভালুক ওলালে যেন তাৰ ওপৰত এক্‌চাইজে গুলী নচলায়। সিফালে ডেপুটি বাবুৰ গুলীৰ আৱাজ আৰু তেওঁ গুলীৰা জন্তুটোৰ ভীষণ চিঞৰ শুনি ছবুৰেজিষ্ট্ৰৰ বাবুৱে হেনো বহি থকা চাং এৰি চাং-বন্ধা গছজোপাৰ গা বগাই গৈ তাৰ ওখ ডাল এটাত বহিছিলগৈ, এক্‌চাইজৰ হাকলৈ কাণ নিদি। আৰু হেনো নিজৰ গাৰ কাপোৰখনেৰে গছজোপাত নিজৰ কঁকালটো তেওঁ বান্ধি থৈছিল, কেনেবাকৈ ভয়ত তললৈ সৰি পৰে বুলি। এই বৃত্তান্ত শুনি ছবুৰেজিষ্ট্ৰৰ বাবুৰ খৰচত আমাৰ কিবীলিৰ জাউৰি উঠিল। আমি বাঢ়িৰে সৈতে পেংলাই-হাঁহিৰ ধাৰ সুজাই ললোঁ।

কিছুমান বেলিৰ মূৰত ডেপুটীবাবু তেওৰ চাঙৰ পৰা নামি আহিল আৰু দেখিলোঁ, তেওঁ এটা প্ৰকাণ্ড ভালুক মাৰি আনিছে। মই মৰা জন্তুটো দেখি তেওঁ ক'লে, সেইটো হেনো Mouse-deer; অথাৎ এন্দুৰৰ নিচিনা এবিধ সৰু পহু আৰু সহজে দুষ্প্ৰাপ্য। তাৰ মঙহ ভক্ষ। পহুটো মই ঘৰলৈ আনি তাৰ ধুনীয়া ছালখন শুকাই থৈছিলোঁ, কিন্তু কিছুদিনৰ মূৰত ছালখন ক'লৈ গ'ল আৰু বিচাৰি নাপালোঁ, নতুবা প্ৰথম Trophy অথাৎ মোৰ চিকাৰৰ চিনস্বৰূপে ছালখন ভালকৈ "টেন্" (Tan) কৰাই ৰাখিবৰ মোৰ মন আছিল। চাৰিঠেঙীয়া জন্তুবধৰ এয়ে মোৰ প্ৰথম অধ্যায়।

মই সদায় দেখি আহিছো যে ভালুক বৰ লেকেটা জীৱ। তাৰ মৰ্ম্মস্থানত গুলী নালাগিলে সহজে সি নমৰে। তাৰ পিঠিৰ নোম প্ৰায় ছ আঙুল-মান দীঘল। অনেক সময়ত গুলী তাৰ নোমৰ ভিতৰেদিয়েই এসোপা নোম সৰাই ওলাই গুচি যায়। গাত নালাগে। আজি পাঁচ মাহমান হ'ল, মোৰ বন্ধু এজনে এখন হাবিত খেদা চিকাৰৰ বন্দবস্ত কৰি মোক তেওঁৰ লগত লৈ গৈছিল। তেৰোঁ এখন চাঙত, মইও তেওঁৰ অলপ দূৰতে আন এখন স্বকীয়া চাঙত। খেদা আৰম্ভ হওঁতে নহওঁতেই দেখিলোঁ, হঠাৎ ভালুক এটা মোৰ পাছ ফালৰ পৰা ওলাই আহিল। তাৰ আৱিৰ্ভাৱ খেদাৰ ফলত নিশ্চয় হোৱা নাছিল। কাৰণ খেদা মোৰ সন্মুখৰ ফালৰ পৰা মোৰ ফালে আৰম্ভ হৈছিল। খেদাত অহা জন্তু মোৰ সন্মুখতে ওলালহিহেঁতেন। আৰু তেতিয়া খেদা কৰা মানুহ-বোৰো এমাইলমান দূৰত। মোৰ পাছফালে মোৰ চাঙৰ পৰা প্ৰায় ১০০ হাত মান দূৰত ভালুকটো থিয় হ'লহি। মই '৪০৫ উইনচেষ্টৰ ৰাইফলেৰে তাৰ গালৈ গুলী এটা মাৰি পঠিয়ালোঁ। ভালুকটোৰ গাত গুলী লাগি সি ভয়ানক চিঞৰিবলৈ ধৰিলে আৰু লাৰু বান্ধি মাটিত বাগৰিবলৈ ধৰিলে মই ভাবিলোঁ সি নিশ্চয় মৰিব; মিছাতে আৰু গুলী খৰচ কৰিবৰ সকাম নাই। কিন্তু অলপ পৰ পিছতে ভালুক উঠি পৰ্ব্বতৰ ফালে লৰ দি পৰ্ব্বতত উঠি যাবলৈ ধৰিলে, আৰু নেদেখা হ'ল। খেদাৰ ওৰ পৰিলত মই মোৰ চাঙৰ পৰা নামিলোঁ আৰু বন্ধুজনও তেওঁৰ চাঙৰ পৰা নামি মোৰ ওচৰলৈ আহিল। তেতিয়া আমি দুয়ো সাতোটা আঠোটা মানুহ লগত লৈ গুলী খোৱা ভালুকটো বিচাৰি গ'লোঁ। দেখিলোঁ সি গুলী খোৱা ঠাইৰ পৰা যেনি যেনি পৰ্ব্বতত উঠিছিল। গোটেই বাট তাৰ তেজেৰে তুংৰলি হৈ গৈছে। আমি সেই তেজৰ চিন ধৰি ধৰি পৰ্ব্বতৰ ওপৰত প্ৰায় এমাইলমান বাট গ'লোঁ, কিন্তু শেহত হঠাৎ তেজ নেদেখা হ'লোঁ। সেইখিনিৰ পৰাই কেনি ফালৰি কাটি কৰবাত লুকাই পৰি মৰিলগৈ তাত সন্দেহ নাই। কাষৰেপাঁজৰে অনেক বিচাৰিও তাৰ উৱাদিহ নাপাই উভতি গুচি আহিলোঁ। মোৰ বৰ ভুল হৈছিল যে মই ওপৰা-উপৰিকৈ আৰু দুটা মান গুলী তাৰ গাত নামাৰিলোঁ বাস্তবিকতে সি গুলী খাই যেনেকৈ চিৎপতলং হৈ পৰিছিল, মই ভাবিছিলো, সি আৰু উঠিব নোৱাৰে। গুলী নমৰাৰ আৰু এটা কাৰণ আছিল। সেই দিনা মোৰ হাতত ৰাইফলৰ গুলী মাথোন তিনিটাহে আছিল। মই ভাবিলোঁ ইকনমি কৰি গুলী খৰচ নকৰিলে অৰ্থাৎ হাত উবুৰিয়াই দিলে, আৰু যদি জন্তু ওলায়হি, তেন্তে কিহেৰে মাৰিম। আচলতে সেই দেখি মই চিকটা হৈ পৰিছিলোঁ। চিকটা হোৱাৰ ফল হাতে হাতে পালোঁ। চিকটাই থাকত নাথায় লোণ, কিন্তু তাৰ পিটিকাত যায় তিনিগুণ। বিহগুক চিকাৰলৈ যোৱা চিকাৰীসকলে এইটো মনত ৰাখিব

লগীয়া যে, অন্ততঃ তেওঁৰ হাতত যেন আঠোটা গুলীৰ ক্ষয় নাথাকে।

এবাৰ সম্বলপুৰলৈ আহোঁতে কৰি বন্ধু এজনে মোক কৈছিল যে, তেওঁ হেনো কিতাপত পঢ়িছে, যে ভালুক বৰ মৰমিয়াল জন্তু। সি মানুহক মৰমহে কৰে। মই তেওঁক উত্তৰ দিছিলোঁ যে ভালুকৰ মৰম বিচাৰি তেওঁ যেন ভালুকৰ কাষ নাচাপে। যতবিলাক হিংস্ৰ জন্তু আছে, তাৰ ভিতৰত ভালুক অতি দুৰন্ত। তাক নোজোকালেও সি জোকায়। অৰণ্যে মানুহৰ তেজৰ সোৱাদ পোৱা বাঘৰ কথা বেলেগ। মোৰ তিনিটা চাৰিটা গাড়োৱান আৰু কৰতীয়াই ভালুকৰ হাতত প্ৰাণ দিছে। এবাৰ পুৱা ৯ মান বজাত তিনিটা গাড়োৱানে হাবিৰ ভিতৰত সোমাই সিহঁতৰ গাড়ীত মোৰ শ্লীপৰ বোজাই দিওঁতে, হঠাৎ ভালুক এটাই আহি এনেকৈ গাড়োৱান এটাক আক্ৰমণ কৰিলে যে তাৰ পেটৰ পৰা মূৰলৈকে ছাল বখলিয়াই দিলে। এই ফালৰ মানুহৰ যেনে গচগতি—লগৰীয়াটোক ভালুকৰ হাতত এৰি বাকী গাড়োৱান দুটাই পলাই ফাট মাৰিলে। পিছত খবৰ পাই ৰাক্ষৰাজৰ দ্বাৰাই আক্ৰান্ত মানুহটোক মই সম্বলপুৰৰ আস্পাতাললৈ লৰালৰিকৈ পঠিয়াই দিলোঁ। কিন্তু সি নিজীলে। আৰু দুটা কৰতীয়াৰ এনে বিপদ ঘটিছিল। এটা আস্পাতালত ভাল হ'ল, আনটো মৰিল।

(৪)

এই বাৰ জামৰাত চিকাৰৰ ঠিক কৰিলোঁ। জামৰা বোলা ঠাইডোখৰ সম্বলপুৰৰ পৰা আঠমাইল মান দূৰত, আৰু মহানদীৰ পাৰত। জামৰাৰ ওচৰতে মহানদীৰ মাজুলী এটা আছে, তাৰ নাম হীৰাকুদ। আগৰ কালত সম্বলপুৰৰ ৰজাৰ দিনত হীৰাকুদৰ পৰা হীৰা পোৱা গৈছিল। কিছুমান মানুহৰ বাৰ আছিল, তাৰ পৰা বিচাৰি বিচাৰি সিহঁতে হীৰা আনি ৰজাক যোগান দিয়াটো। দেশী ৰজা গ'ল, লগে লগে সেই কাম কৰা মানুহো মৰিহাজি অন্ত হ'ল আৰু তাৰ পৰা হীৰা বিচাৰি অনা কাৰ্য্যবো ওৰ পৰিল। সেই মানুহবোৰৰ পো-নাতিবোৰে বোপা-ককাৰ কাৰ্য্য আজিকালি পৰিত্যাগ কৰি আন কামত ধৰিলে, আৰু হীৰাকুদত হীৰা ক'ত পোৱা যায়, আৰু কেনেকৈ বিচাৰি উলিৱা হয়, তাৰ সন্ধেদ সিহঁতে এতিয়া একোকে নাজানে। সম্বলপুৰৰ পৰা পোন্ধৰ মাইলমান দূৰত থকা বোলা এখন ঠাইৰ ডাকঘৰুৱা এটাত এদিন মই থাকোঁতে, এটা মানুহে নকটা-হীৰা এখন মোক দেখুৱাই কৈছিল যে সেইখন তাৰ বাপেকে হীৰাকুদত পাইছিল, আৰু তাৰ ঘৰত তেতিয়াৰে পৰা সেই হীৰাখন আছে। যদি ভাল বেচ পোৱা যায়, সি হীৰাখন বেচিবলৈ সাজু আছে। মই তাৰ হীৰাখনৰ কিমান বেচ বুলি সুধিলত সি এনে এটা অসম্ভৱ বেচৰ নাম কাঢ়িলে যে মই ৰজতে নাম থৈ হুহকি পৰিলোঁ। সি গুচি গ'ল আৰু তাৰ পিছত গুংসূত্ৰও মই হেৰুৱালোঁ।

ঘামকালি। মহানদীৰ পাৰত থকা ডাঙৰ ডাঙৰ আম গছৰ থুপৰ তলত আমি আমাৰ বাহৰ কৰালোঁ। ৰম্য ঠাই। সি মহানদীৰ কথা কীৰ্ত্তন ঘোষাৰ ওৰেষা খণ্ডত মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে এইদৰে বৰ্ণনা কৰিছে—।

"দেখিল স্থান সব অনুপাম।
আছন্ত তীৰ্থ মহানদী নাম।
লোকৰ কৰিয়া পাপ উপান্ত।
দক্ষিণ সাগৰক বহি যান্ত॥
গঙ্গাৰ সমান তীৰ্থ নিঃশেষ।
দুয়ো কূলে আছে অনেক দেশ॥
হৃষ্টপুষ্ট লোক তাত সদায়।
বসনে-ভূষণে ভূষিত কায়।
বেদবিদ বিপ্ৰ আছে অপাৰ।
প্ৰত্যহ অগ্নিহোত্ৰ সিজে তাৰ॥
সদায় নুগুচে শাস্ত্ৰ আলাপ।
বেদধ্বনি শুনি পলায় পাপ॥
ক্ষেত্ৰত আছে যত নাৰীগণ।
সবাৰো গাৱে শোভে আভৰণ।
আয়ত লোচন পদ্মৰ পাসি।
নুগুচে মুখত ঈষত হাসি॥
ৰূপে বিদ্যাধৰী সম সাক্ষাত।
কৰন্ত নয়লাসে আয়াযাত॥

অৰণ্যে এই বৰ্ণনা কটক পুৰীৰ মহানদীৰ পাৰৰ। কিন্তু সম্বলপুৰৰ মহানদীৰে শেহডোখৰ কটকপুৰীৰ কাষৰ মহানদী। গতিকে এই বৰ্ণনাৰ দুই চাৰি অনা সম্বলপুৰৰ মহানদীৰ ভাগত দিলেও অযথা নহয়।

আম গছৰ তলত সুন্দৰ শীতল ছাঁত আমালৈ ভাতপানী বান্ধিবাঢ়ি আৰু আনসকলো আৱশ্যকীয় দিহা কৰি ৰাখিবলৈ পুৱাই আমাৰ সেই বাহৰলৈ লগুৱা আৰু বান্ধনি পঠিয়াই দিয়া হৈছিল। আমি দহমান বজাত সেই খিনি পালোঁগৈ। আমাৰ দলত ভদ্ৰলোক আৰু ভদ্ৰমহিলা প্ৰায় ন-দহজন। তাৰে ভিতৰৰ চাৰিজন আচল মৃগয়ালোলুপ আৰু আনবোৰ বনভোজন আৰু আমাৰ চিকাৰৰ উত্তেজনা আৰু ফলভোজন প্ৰয়াসী। এজন কি দুজন এই দুই বিষয়তো উদাসী আছিল। তেওঁলোক আমাৰ লগত কিয় গৈছিল ক'ব নোৱাৰোঁ। বোধকৰোঁ তেওঁলোকৰ মনস্কামনা মাথোন পৰিভ্ৰমন আৰু বিশুদ্ধ বায়ু ভক্ষণ আছিল। মহিলাসকলৰ পত্নীসকলে পত্যানুগমন আৰু দুহিতাসকলে পিতৃৰ হৰ্ষবৰ্দ্ধন কৰি লোই

যাত্ৰাৰ শ্ৰীবৰ্দ্ধন কৰিছিল। পুৰুষ ডাঙৰীয়াসকলৰ ভিতৰৰ এজন ছুবজজ, এজন এছিষ্টেণ্ট ছুৰ্জ্জন আৰু এজন আবকাৰিৰ অধিকাৰ। বাকীসকল চৰ্কাৰী হিচাপত নামনাচৰ।

আমি পৰিবাৰবৰ্গক, অ-মৃগয়াশীলসকলক আৰু উদাসীন কেইজনক মহানদীৰ পাৰৰ প্ৰকাণ্ড আমগছৰ তলৰ বাহৰতে, নৈসৰ্গিক শোভা পৰিদৰ্শন কৰিবৰ সুবিধা দি মুকলিমূৰীয়াকৈ এৰি থৈ লৰালৰিকৈ চাহ-জলপান খাইবৈ আমাৰ চিকাৰৰ ঠাইলৈ পদব্ৰজে গতি কৰিলোঁ। আমাৰ বাহৰৰ পৰা এমাইলমান দূৰত আমাৰ চিকাৰৰ ঠাই, আৰু এটা পৰ্ব্বতৰ পাদদেশত। প্ৰায় বাৰবজাত আমি চিকাৰী চাৰিজনে নিজৰ নিজৰ নিৰ্দ্দিষ্ট চাঙত উঠি, হাতত বন্দুক লৈ, আমাৰ আগত ওলাব বুলি আশা কৰি থকা জন্তুৰ ওপৰত শৰ সন্ধান কৰিবলৈ অৰ্থাৎ বন্দুকৰ গুলী বৰষিবলৈ আশা-টপালি ধৰিলোঁ। সেই দিনা মোৰ হাতত 500 নম্বৰ এক্সপ্ৰেছ বন্দুক। আমাৰ লগৰীয়া এজনে আন এটা বন্দুক লৈ সেইটো মোক দিছিল। সিফালে খেদা আৰম্ভ হ'ল। দেড়মাইলমান দূৰৰ পৰা বিটৰবোৰে খেদা কৰি আনিবলৈ ধৰিলে। পৰ্ব্বতটোৰ ভৰিৰ তলতে মোৰ চাংখন। একমান বজাত খেদাকৰেঁাতাবোৰ কাষ চাপি আহিল। এনেতে শুকান পাতৰ খৰখৰনি মোৰ কাণত পৰিল। বুজিলোঁ পৰ্ব্বতৰ টিঙৰপৰা মোৰ ফালে কিবা জন্তু এটা নামি আহিছে। মই বন্দুকৰ ঘোৰাটো তুলি সেই ফালে মুখ কৰি গুলী মাৰিবলৈ সাজু হলোঁ। মোৰ মুখত জিভাৰ ৰস কমি গ'ল, কুকুত ধিপধিপনি উঠিল, আৰু ধিপধিপনিৰ ধ্বনি মোৰ কাণত পৰিবলৈ ধৰিলে। তেনেকুৱা Tense momentত মানসিক উত্তেজনাৰ সন্ধিক্ষণত সদায় তেনে হয়। অকল মোৰেই যে তেনে হয় এনে নহয়। শুনিছোঁ আনবো আৰু মোতকৈ পকা চিকাৰীবো তেনে হয়। খৰখৰনিৰ শব্দ ওচৰ চাপি আহিলত দেখিলোঁ এটা বৰ ডাঙৰ দঁতাল বৰা পৰ্ব্বতৰ গাৰ পৰা মোৰ ফাললৈ নামি আহিছে। বন্দুকটো ঠিককৈ টোৰাঁই লৈ বিম্বাশবদে দিলোঁ গুলী মাৰি। একে গুলীতে বৰাটো মাটিত বাগৰি পৰি চটফটাবলৈ ধৰিলে। তাৰ গাৰ ওচৰৰ মাটিত তেজে ডোঙা বান্ধিলে। ক্ষন্তেকৰ পিছতে বৰাটোৱে বৰাহলীলা সমাপন কৰি নিসাৰ-সাৰ অৱস্থা বৰণ কৰিলে।

খেদাৰ অন্তত চাৰিউফালৰ পৰা সকলো চাপি-কুচি আহিল আৰু দেখা গ'ল যে প্ৰকাণ্ড বৰা আৰু ভীষণ দঁতাল। মোৰ লগৰীয়া চিকাৰীসকলৰ কংগ্ৰেচুলেছন অৰ্থাৎ আনন্দ প্ৰকাশৰ অভিনন্দন মই আনন্দ মনেৰে গ্ৰহণ কৰিলোঁ। দুখৰ বিষয় লগৰীয়া চিকাৰী বন্ধুসকলে সেই দিনাখন একো নাপালে।

চাৰিটা মানুহে সাঙী কৰি বৰাটো আমাৰ বাহৰলৈ বোতিয়া আনিলে, জন্তুটো দেখি বাহৰবাসী-সকলৰ আনন্দ হল। আবেলি প্ৰায় চাৰিবজাত বৰাটো আমাৰ বাহৰ পাইছিলহি। বৰাটো কোনে মাৰিলে বুলি বাহৰবাসীসকলে প্ৰশ্ন কৰিলত, তাক কচিয়াই অন্য মানুহ কেইটাই ক'লে—"বুঢ়া চাহাবে।" তাৰ মানে "ওল্ডমেন" চাহাব নহয়, বৰুৱা চাহাবে। বুঢ়া চাহাব বৰুৱা চাহাবৰ অপভ্ৰংশ। মোৰ নামটো বৰুৱা চাহাব বুলি কোৱা শুনি ভাবী কেইটাই তাৰ অৰ্থ বুঢ়াচাহাব কৰি পেলাইছিল। এইটো আজি দহ বছৰৰ আগৰ কথা (১৮৪২ শক)। আজিকালি ধৰ্ম্মৰাজ যমৰজাৰ পৰা তেওঁৰ "টিপাৰ্টি" "উইড়ইনিং পাৰ্টি" আৰু "ডিনৰ-পাৰ্টিলৈ" যিমানবোৰ বগা কাকতত লিখা নিমন্ত্ৰণ পত্ৰ পাইছোঁ, দহ বছৰৰ আগেয়ে সিমান পোৱা নাছিলোঁ। কথাষাৰ মুকলি কৰি ক'লে এনে হয় যে মোৰ মুৰৰ চেচুক ঠাইত লুকাইচু কৈ যদিও তেতিয়া দুডাল চাইডাল চুলি পকিছিল, সবহু সংখ্যক চুলিয়ে নিজৰ স্বাভাৱিক বৰ্ণাশ্ৰমধৰ্ম্ম পৰিত্যাগ কৰি অধৰ্মী হোৱা নাছিল। সেই দেখি পাগ্ৰিক অৰ্থাৎ বাইজৰ যেয়ে-সেয়ে মোক নিৰ্ভয়ে বুঢ়া বুলিবৰ অধিকাৰ তেতিয়াও লাভ কৰা নাছিল। ক্ৰোধান্ধ হৈ মোৰ কোনো বিপক্ষই মোৰ পাছত কেতিয়াবা মোক বুঢ়া-ঘুগুলাটো বুলিছিল যদি কিন্তু মৰ-সাহ দি মোৰ সমুখ হৈ সেই দুষ্কাৰ্য্য কোনোৱে কেতিয়াবা কৰাৰ কথা মই নাজানো।

যাওক। বৰা আমাৰ আমতলৰ বাহৰ পোৱাৰ পিছতে এটা অভাৱণীয় ঘটনা ঘটিল। আমাৰ বনভোজনৰ লগৰীয়া মহিলাসকলৰ ভিতৰৰ ললনা এজনাই যেই শুনিলে যে তেওঁৰ চিকাৰী স্বামী সেই বৰাহৰ অন্তক নহয়, ৰজাৰ বিষয়-বাসনা নোখোৱা বৰুৱা চাহাবহে বৰাহবধী তেওঁ খঙত ৰঙা পৰিল। তাৰ উপৰি আৰু যেতিয়া তেওঁ শুনিলে যে সেই দিনা তেওঁৰ হাকিম স্বামীৰ ভাগ্যত কোনো জন্তুবধেই সংঘটিত নহল, সেই হৰিণাক্ষীয়ে স্থান, কাল পাত্ৰ সকলোবোৰৰে সোঁৱৰণ চাহপানা তপতোৱা উধান তিনটাৰ ভিতৰত অলাজুইত বিসৰ্জ্জন দি, যৰে চাহ পানী, ততে এৰি মুখখন এপাচিমানকৈ ওফোন্দাই দুৰ্যোৰ ৰোহ পাতিলে। তেওঁৰ বৰসিয়াল স্বামী কিছুদূৰ পত্নাপৰাধীন, সেইটো আমাৰ অবিদিত নাছিল। চিকাৰৰ পৰা ঘামিজামি অহা স্বামীৰ সৈতে তেওঁ সকলোৰে সমুখতে সত্যাগ্ৰহ আৰম্ভ কৰি দিলে। স্বামীৰে সৈতে মৃগাক্ষীৰ কথা-বাৰ্ত্তা আৰু চাহপানী বন্ধ হ'ল। আনকি তেওঁৰ ঠেহৰ জোখ ইমান বাঢ়িল, যে বনভোজনৰ নিৰ্দ্দিষ্ট আহাৰো তেওঁ নোখোৱা হ'ল। লগৰীয়া মহিলা সকলোৱে বুজাই-বৰাইও তেওঁৰ ঠেহ ভাঙিব নোৱাৰিলে। বপুৰা স্বামী। মৈণী-

যেন্‌ৰ এনে অশোভন ব্যৱহাৰত তেওঁৰ মুখখন শুকাই টোটোবা পৰিল।

আমি বাকীবোৰে খাইবৈ বং-ধেমালি কৰি ৰাতি ঘৰলৈ উভতি আহিলোঁ। জোনাক ৰাতি আছিল। বৰ ৰঙেৰে আমি উভতিলোঁ—অৱশ্যে উল্লেখিত সেই কদৰ্য্য ঘটনাটোৱে বাহিৰে আমাৰ মনত নিৰানন্দৰ ছাঁ পেলাবলৈ আন একো নাছিল।

পিছ দিনা পুৱাই সেই অভিমানিনী হাকিমনীৰ ঘৰলৈ বন্যবৰাহৰ পিৰা এটা পঠিয়াই দিয়া হ'ল। কিন্তু বেজাৰৰ কথা যে তেওঁৰ অভিমান আৰু আমাৰ ওপৰত বিৰক্তিৰ কোব ইমান ওপৰলৈ চৰিছিল যে যদিও পালে বন্যবৰাহ তেওঁলোকে অতি হেপাহেৰে ভোজন কৰাটোৰ কথা আমি জানো, ৰৰাৰ পিৰা লৈযোৱা মোৰ লগুৱাটোক তেওঁ কটুক্তি কৰি সেই পিৰাটো ওভোতাই দিলে।

চাৰিঠেঙীয়া জন্তু চিকাৰৰ মোৰ দ্বিতীয় ট্ৰফী অৰ্থাৎ জয় চিহ্নস্বৰূপে সেই বৰাটোৰ মূৰটো আজিলৈকে মোৰ চৰাঘৰৰ বেৰত আঁৰি থোৱা আছে।

(৫)

মোৰ এজন মুছলমান বন্ধুৱে এবাৰ ঘিচামুৰা নামৰ ঠাই এডোখৰৰ হাবিত চিকাৰৰ বন্দৱস্ত কৰি মোক লগত ল'লে। ঘিচামুৰা সম্বলপুৰৰ পৰা বাইশ কি তেইশ মাইলমান দূৰত। ঘিচামুৰাৰ পৰা দেড়মাইলমান দূৰৰ গাঁও এখনত আমি ডামিঘৰা তৰি বসোঁচক। তাত আমি তিনি দিন আছিলোঁ আৰু তিনিখন ওচৰাউচৰি হাবিত খেদা চিকাৰ কৰিছিলো। প্ৰথম দুদিনৰ চিকাৰত বাঘ পাম বুলি আমি বৰ আশা কৰিছিলোঁ ; কিন্তু বাঘৰ মহাক বোন্দা এটাও নোলাল। কিন্তু তৃতীয় দিনৰ চিকাৰত সেই কালৰ হাবিত কোনেও আশা নকৰা জন্তু এটা লাভ হ'ল, যাৰ বিষয়ে এতিয়া কম।

আমি দুয়ো দুখন সুকীয়া চাঙত বহি ভাবি আছোঁহক যে সেই দিনাও যথাপূৰ্ব্বং তথাপৰং হ'ব, আৰু আমি চিকাৰী মেকুৰীৰ ভাগ্যত 'কানো জন্তুৰ শিকিয়াই নিছিগে। খেদা প্ৰায় শেষ হ'বলগীয়া হ'ল। এনেতে হাবিখন খোজৰ দপ্‌দপনিত তলওপৰ কৰি কিবা ডাঙৰ জন্তু গোটাদিয়েক আমাৰ কালে 'লাঙ্গুৰ ছাটিত মেঘ উড়াই" অহা শুনিলো। মোৰ বন্ধুৰ চাংখন মোৰখন চাঙৰ পৰা দহ বেওমানৰ আগত আছিল। হঠাৎ তেওঁৰ বন্দুকৰ আৱাজ শুনিলো গুড়ুম। আকৌ শুনিলো গুড়ুম॥ মযো ইফালে ৰাইফল লৈ সটৰ হ'লোঁ। এনেতে দেখিলোঁ, বিজুলীৰ বেগেৰে তিনিটা প্ৰকাণ্ড জন্তু লৰি মোৰ কালে

আহি কালৰি কাটি মোৰ চাঙৰ কাষেদি গুচি গ'ল। কানিমুনি কৰি দিলোঁ মাৰি এজাই। চাপনি মেলি যোৱা জন্তু কেইটা মুহূৰ্ত্ততে অদৃশ্য হ'ল।

খেদা কৰা মানুহবোৰ লাহে লাহে মোৰ কাষ পালেহি আৰু মোৰ বন্ধুজনো চাঙৰ পৰা নামি মোৰ ওচৰ ওলালহি। ময়ো মোৰ চাঙৰ পৰা নামি আহিলোঁ আৰু বন্ধুৱে সৈতে কোৱামেলা কৰিবলৈ ধৰিলোঁ যে আগৰ দুদিন কোনো জন্তু নোলালেই, আজি ওলাল যদিও আমি মাৰিব নোৱাৰিলোঁহক। এইদৰে দুয়ো কোৱা-মেলা কৰি থাকোঁতেই, আমাৰ পাছফালে কুৰি বেওমান দূৰৰ পৰা গোটাচেৰেক মানুহ লৰি আহি আমাক বাতৰি দিলেহি যে ডাঙৰ জন্তু এটা শুকান নলা· এটাৰ ভিতৰত পৰিছে। আমি বন্দুকত গুলী ভৰাই লৈ অতি সন্তৰ্পণে এখোজ দুখোজকৈ গৈ সেইখিনি পাই দেখিলোঁ যে মহিষাসুৰৰ জাতৰ বৰ ডাঙৰ জন্তু এটা তাতে

"ভূমিত পৰি আছে চেতন হৰি।
চক্ষু ওলটাই আছাড়ে ভৰি॥"

মই আকৌ এটা গুলী তাৰ গালে মাৰি দিব খোজোঁতেই লগৰীয়া মানুহ কেইটাই হাক দি ক'লে—"আৰু গুলী মাৰিবৰ সকাম নাই ; সি মৰিল।" ময়ো দেখিলোঁ, সিহঁতৰ কথা ঠিক।—

"মৰিল অসুৰ ছাদি কধিৰ।
বাজ ভৈল (বাহ) প্ৰাণ ফাটি শৰীৰ॥"

মই আগেয়ে তেনেকুৱা জন্তু দেখা নাছিলোঁ। সিহঁতে ক'লে সেইটো গয়েল্। গয়েলক ইংৰাজীত বাইচন বোলে। আমাৰ অসমীয়াত বাইচনক 'ৰোধকৰেঁ। মেঠোন বোলে। মোৰ বন্ধুজনে আনন্দত মোক কৰমৰ্দ্দন কৰিবলৈ ধৰিলে। মই তেওঁক ক'লোঁ "সম্ভৱতঃ আপোনাৰ গুলীতহে তাৰ প্ৰাণ গৈছে। বৰং মইহে আপোনাৰ কৰমৰ্দ্দন কৰি আপোনাক মোৰ অভিনন্দন জনোৱা উচিত।" তেওঁ মোৰ কথাত প্ৰতিবাদ কৰি তেতিয়াই প্ৰমাণ কৰি দিলে যে তেওঁৰ গুলী তাৰ গাত লগা নাছিল ; মোৰ গুলীহে লাগিছিল কাৰণ জন্তু কেইটা যিফালে মুখ কৰি লৰি আহিছিল, সিহঁতৰ সোঁফালৰ চাঙত মই বহিছিলোঁ আৰু বাঁওফালৰ চাঙত তেওঁ। যদিও তেওঁ দুটা গুলী মাৰিছিল তথাপি জন্তুটোৰ বাঁওফালৰ কোনো অঙ্গ-প্ৰত্যঙ্গত তেওঁৰ দুনলী বন্দুকৰ কোনো গুলীৰ চিন নাই অথচ সোঁফালে তাৰ কলাডিলৰ ওপৰত মোৰ ৰাইফলৰ গুলীৰ চিন জাজ্জল্যমান।

মোৰ চিকাৰৰ পিছৰ ডোখৰ কালত অনেক বাৰ দেখিছোঁ যে অনেক ভদ্ৰলোক লগৰীয়া চিকাৰী

বন্ধুৱে তেওঁলোকৰ গুলী যে চিকাৰত মৰা জন্তুটোৰ মৰণৰ কাৰণ নহয়, সেইটো যত্নপূৰ্ব্বক মোৰ এইজন বন্ধুৰ দৰে প্ৰমাণ কৰিবলৈ নগৈ ৰং:- "আমি লগে ভাগে মাৰিছোঁ। সম্ভৱত: মোৰ গুলীতহে জন্তুটো মৰিছে," ইয়াকেহে প্ৰমাণ কৰিবলৈ যায়। আজি-কালি আদালতৰ বিচাৰ কাৰ্য্যত সত্যাগ্ৰহীয়ে যোগ নিদি তেওঁৰ দোষ সত্তাতে সাব্যস্ত কৰিবলৈ এৰি দিয়াৰ দৰে, ময়ো তেনে বিচাৰত যোগ নিদিওঁ। কাৰণ মোৰ গঢ়গতি "মা ফলেষু কদাচন" বিধৰ।

বাইশটা মানুহে জন্তুটো সাঙ্গী কৰি কিছু দূৰ আনি ভাগৰি নোৱাৰি, দূৰৰ গাঁৱৰ পৰা মহৰ গাড়ী এখন বিচাৰি আনি তাক তাত তুলি দি ৰাতি দহমান বজাত আমাৰ বাহৰ পোৱালেছি। জন্তুটো মৰাৰ খবৰ বিয়পি পৰিলত, ৰাতিয়েই ওচৰৰ গাঁৱৰ পৰা জাকে জাকে মানুহ আহিবলৈ ধৰিলে আৰু তিনিখন গাঁৱৰ মানুহে তাৰ মঙহবোৰ কাটি বাছি খাবলৈ লৈ গ'ল। মোৰ বন্ধুৰ তত্বাৱধানত মোৰ চিকাৰৰ জয়লব্ধ নিদৰ্শন স্বৰূপে শিঙেৰে সৈতে মূৰটো আৰু ছালখন মোলৈ থোৱা হ'ল। পিছ দিনা মই সম্বল-পুৰলৈ উভতি আহি সেই মূৰটো আৰু ছালখন কানপুৰৰ সূটা কুম্পানীলৈ পঠিয়াই দিলোঁ। দুমাহ, মানৰ মূৰত শিঙেৰে সৈতে মূৰটো সুন্দৰকৈ এখন কাঠৰ ৰাকৰ ওপৰত বহুৱাই ঠিক জীয়া জন্তুটোৰ মূৰটো যেনেকৈ এটা কুম্পানীয়ে মোলৈ পঠিযাই দিলে আৰু ছালখনেৰে দুটা ছুটকেছ অৰ্থাৎ ছালৰ পেৰা প্ৰস্তুত কৰি আনটো কুম্পানীয়ে পঠিয়ালে। সেইবোৰ আজিও মোৰ ঘৰত বিৰাজমান। ছুটকেছ দুটা আৰু মূৰটো তেনেকুৱা কৰাওঁতে অৱশ্যে মোৰ এশ টকাৰ ওপৰে খৰচ পৰিছিল। মোৰ বন্ধুজনে সেই চিকাৰৰ সকলো খৰচ, আনকি জন্তুটো কঢ়িয়াই অনা, তাৰ ছাল বখলিওৱা, আৰু মূৰটো কাটি ৰখা ইত্যাদিৰ সকলো ব্যয় স্বইচ্ছাতে বহন কৰিছিল ; মোৰ বাৰে বাৰে অনুৰোধ, অনুনয়-বিনয় সত্বেও মোক এটা পইচা খৰচ কৰিবলৈ নিদিছিল।

এই খিনিতে অলপ অবাস্তৰ কথাৰ অৱতাৰণা কৰিম। সি যদি পাঠকসকলৰ বিৰক্তিৰ কাৰণ হয়, তেন্তে মোৰ অনুৰোধ, তেওঁলোকে এই ডোখৰ নপঢ়িব।

মোৰ বন্ধুজন আলিগড় কলেজৰ গ্ৰেজুৱেট আৰু ইংৰাজী, ফাৰ্চী, উৰ্দ্দু ভাষাত সুপণ্ডিত। চৰ্কাৰৰ ঘৰবো তেওঁ এজন ডাঙৰ বিষয়া। ছেটেল্-মেণ্ট অৰ্থাৎ বন্দোবস্ত বিভাগৰ তেওঁ ৰবচাহাব। মানুহজন দেখিবলৈ যেনে সুপুৰুষ, কথাবাৰ্ত্তা আৰু ব্যৱহাৰতো অতুলনীয়। বাস্তৱিকতে তেওঁক সুশিক্ষা আৰু সৌজন্যৰ প্ৰতিমূৰ্ত্তি বুলিব লাগে। মোৰ এই দীঘল জীৱনত মই নানা ধৰ্ম্মাৱলম্বী ভাৰতীয় মানুহ অনেক দেখিছোঁ, ইমান মানুহেৰে সৈতে মিলিজুলি ইমান ফুৰিছোঁ, কিন্তু সচাঁকৈয়ে মোৰ এই মুছলমান বন্ধুজনৰ নিচিনা ভদ্ৰ আৰু ওখ মনৰ মানুহ অতি কমহে মোৰ সৈতে সম্পৰ্কলৈ আহিছে। মানুহে সাধাৰণত ভদ্ৰ বা ভাল মানুহ আখ্যা পায়, তেওঁৰ ভাল স্বভাৱ চৰিত্ৰ আৰু ব্যৱহাৰৰ নিমিত্তে ; তেওঁ যদি বুদ্ধি-বৃত্তিতো কম হয়। প্ৰায়ে টেঙৰ মানুহ দুষ্ট, আৰু মূৰ্খ বা হোজা মানুহ ভাল হোৱা দেখি সাধাৰণতে মানুহৰ এনে ধাৰণা হয়। কিন্তু ওপৰত যাৰ কথা কৈছোঁ, সেইজন যেনে বিজ্ঞ, সুচতুৰ আৰু সুবুদ্ধিমান, তেনে ভদ্ৰ আৰু পোনপটীয়া। এইখিনিতে নিজৰ কথা একাষাৰ কবৰ মন গৈছে আৰু সেইফেৰা দাযৰ নিমিত্তে পাঠকসকলৰ ওচৰত ক্ষমা মাগিলোঁ। অসমৰ কথা কব নোৱাৰোঁ, কিন্তু এই সুদূৰ বিদেশতো এই বৃত্তান্ত লেখকৰ এটা খ্যাতি বা অখ্যাতি আছে যে তেওঁ ভাল মানুহ। নিশ্চয় তেওঁৰ গঢ়গতি দেখিশুনি মানুহে তেওঁক তেনেকুৱা বুলি ভাবিছে। কিন্তু যদিও সেই হিচাপত তেওঁক প্ৰয়োগ কৰা ভাল মানুহ কথাষাৰ তেওঁ অস্বীকাৰ কৰি প্ৰতিবাদ কৰিবলৈ ইচ্ছা নকৰে, তথাপি প্ৰখৰ বুদ্ধি বা সুবিবেচনাৰ বিষয়ত তেওঁ যে সেই খিতাপ আৰ্জ্জিছে এনে নহয় বুলি তেওঁৰ ডাঠ বিশ্বাস। তেওঁৰ কথাৰ সমৰ্থক স্বৰূপে এই খিনিতে আকৌ এফেৰি পুৰণি কথাৰ অৱতাৰণা তেওঁ কৰিলে।

মই বি-এ পৰীক্ষাত উঠাৰ পিছত দুবাৰ গৱৰ্ণমেণ্টৰ পৰা চাকৰিৰ আহ্বান পাওঁ। এবাৰ কমিছনৰ লটমেন জনছনৰ পৰা আৰু দ্বিতীয়বাৰ অসমৰ চিফ্‌কমিছনৰ ছাৰ হেন্‌ৰী কটনৰ পৰা দুইবাৰৰ আহ্বান মই প্ৰত্যাখ্যান কৰিছিলো, কাৰণ মোৰ সৰুৰে পৰা ইচ্ছা যে হয় আইনব্যৱসায়ী হম, নাইবা অইন ব্যৱসায়ী হম। মই আইনত বি-এল, পৰীক্ষা দিছিলোঁ। কিন্তু মোৰে সৈতে প্ৰায় ত্ৰিশজন-মান পৰীক্ষাৰ্থী ছাত্ৰক য়ুনিভাৰ্ছিটিয়ে অযথাৰ্থভাৱে ফেল কৰি দিয়া বাবে, মই মোৰ আৰু লগৰীয়াসকলৰ হৈ কলিকতাৰ হাইকোৰ্টত মোকৰ্দ্দমা কৰিছিলো, সেই মোকৰ্দ্দমাত অকল ময়েই যে কিয় বাদী হৈছিলোঁ তাৰো অলপ ইতিহাস আছে। পৰীক্ষাত ফেল হোৱা মোৰ লগৰীয়াসকলৰ সৰহ ভাগ কলিকতাৰ ডাঙৰ মানুহৰ ল'ৰা। আমি লগ লাগি উকিল, বেৰিষ্টৰ, এটৰ্ণিৰে সৈতে পৰামৰ্শ কৰি যেতিয়া হাইকোৰ্টত মোকৰ্দ্দমা রুজু কৰিবলৈ ঠিক কৰিলোঁ তেতিয়া মোৰ লগৰীয়া আটাই কেউজন ছাত্ৰৰ বাদী হৈ গোচৰত নাম দিয়াৰ পৰা পাছ হুহকি পৰিল। গছত তুলি দি গুৰি কাটি দিয়াৰ নিচিনা তেওঁলোকৰ

ব্যৱহাৰ দেখি মই অবাক হলোঁ। কিন্তু এবাৰ যেতিয়া আগবাঢ়ি ওলালোঁ, মই কেতিয়াও নোহোহকোঁ বুলি দৃঢ়প্ৰতিজ্ঞ হলোঁ। সেই দেখি সেই মোকৰ্দ্দমাৰ মই অকলশৰীয়া বাদী আৰু বাকী ছাত্ৰবোৰ মোৰ যুদ্ধৰ ফলভোক্তাভিলাষী। হাইকোৰ্টৰ পৰা য়ুনিভিৰ্চিটীৰ ওপৰত "ৰিট্ অব্ মেণ্ডেমাছ" বাহিৰ হ'ল। কিন্তু অন্তত মোকৰ্দ্দমাত মই হাৰিলোঁ। হবাৰ প্ৰধান কাৰণ, য়ুনিভৰ্ছিটীৰ প্ৰেষ্টিজ্ ৰক্ষা। প্ৰেষ্টিজ মানে মান বা ইজ্জৎ। এই বলিশালত ন্যায় নামৰ ছাগ বলি সদায় হৈ আহিব লাগিছে। গতিকে মোৰ মোকৰ্দ্দমাৰ ফল লাভত মই আচৰিত নহলোঁ।

বিশ্ববিদ্যালয়ৰ সম্পৰ্ক পৰিত্যাগ কৰি ১৮৯৫ চনত দেখশুনাকৈ মই ব্যৱসায় জীৱন অৱলম্বন কৰিলোঁ। ব্যৱসায়ত অভিজ্ঞ লোক এজনেৰে সৈতে লগ লাগিলোঁ। সেই সময়ত অভিজ্ঞ জনৰ ব্যৱসায় কলিকতাত এটি সৰিয়হতকৈও সৰু আছিল। আমি দুয়ো লগ লাগি তাৰ শ্ৰীবৃদ্ধি সাধনত তৎপৰ হ'লোঁ। যুটীয়া পৰিশ্ৰমৰ ফলত লাহে লাহে সি এজোপা ডাঙৰ বৰগছত পৰিণত হ'ল। কোৱা বাহুল্য যে সেই ব্যৱসায়ৰ গুৰি আৰু মাজডোখৰত মোৰ অভিজ্ঞ বন্ধু আৰু মই মাখোন। অৰ্থাৎ—

"ৰামকৃষ্ণ দুটি ভাই বৃন্দাবনে চলি যায়।
হাতত মোহন বংশী বৈয়া বৈয়া বায়॥"

দুইবো হাতত তেতিয়া মোহন বংশী নাছিল যদিও, আছিল ছাতি আৰু লাখুটিহে। তাকে দুয়ো হাতত লৈ কলিকতাৰ বাটেপথে অলিয়েগলিয়ে টহলৰাম হৈ ঘূৰি ফুৰিছিলোঁ আৰু চকৰি লগা যানৰ ভিতৰত ট্ৰেমগাড়ীত গা বেলাইছিলোঁ। পোন্ধৰ বছৰৰ ওপৰ কাল, মোৰ সেই অভিজ্ঞ বন্ধুৰে সৈতে মই একেটা ব্যৱসায়তে আছিলোঁ। কিন্তু লাহে লাহে ব্যৱসায়ৰ গছজোপা ডাঙৰ হৈ উঠিলত তাত অনেক চৰাই-চিৰ্কতি গোট খাবলৈ ধৰিলে, তালৈ কানকুৰিকা আহিল, শালিকা আহিল, ফেচু আহিল, হেটুলুকা আহিল,—আনকি বিদেশী ফেঁচা আৰু কাউৰীবো দৌৰাত্ম্য তাত বাঢ়িবলৈ ধৰিলে। কোঢ়াল বৰ বেছি হ'ল। মই স্বভাৱতে শান্তিপ্ৰিয় মানুহ সেইদেখি "ৰামকৃষ্ণ দুটি ভাই। ভালে ভালে আঁতৰি যায়!" ইয়াকে থিৰ কৰি আঁতৰি পৰিলোঁ। গোটেইটো ব্যৱসায়ৰ টকা-কড়ি, বেঙ্কৰ টকা, হিচাপ-পত্ৰ মোৰ হাতত আৰু মোৰ নামত আছিল। সুযোগ্য অভিজ্ঞ ভ্ৰাতাক সেইবোৰ বিনা বাক্যব্যয়ে প্ৰত্যাৰ্পণ কৰি আঁতৰি পৰিলোঁ। মনত আছে সেই সময়ত আমাৰ যুটীয়া ব্যৱসায়ৰ মূল্য স্থাবৰ অস্থাবৰ, নগদ টকা ইত্যাদিৰে প্ৰায় বাৰ লাখ টকাৰ ওপৰ।

সম্বলপুৰত এঘৰ ওখ শাৰীৰ বঙালী ভদ্ৰলোক আছিল। তেওঁলোকেৰে সৈতে আমাৰ প্ৰায় ত্ৰিশ বছৰৰ ওপৰকলীয়া বন্ধুতা আৰু ঘনিষ্ঠতা। মই হাওৰাত থাকোঁতে তেওঁলোক বছেৰেকত তিনি চাৰিবাৰকৈ আমাৰ ঘৰত থাকিছিলগৈ। আমিও মাজে মাজে সম্বলপুৰলৈ ফুৰিবলৈ আহি তেওঁলোকৰ ঘৰত আলহী থাকিছিলো। বঙালী ভদ্ৰলোকজনৰ গৃহিনী জনা সুশিক্ষিতা আৰু প্ৰখৰ বুদ্ধিমতী আছিল। (দুখৰ বিষয় তেওঁ আজি ইহলোকত নাই।) মই বাৰ্ডকোম্পানীৰ চাকৰি লৈ সম্বলপুৰলৈ আহি পোনতে চাৰি-পাঁচ দিন তেওঁলোকৰ ঘৰতে আছিলোঁহি। মহিলাজনাই মোক প্ৰথম সম্ভাষণতে ক'লে—"দেখুন মিষ্টাৰ বেজবৰুয়া। আপনাৰ মাথায় গোবৰ পোৰা। আমৰা ভাল কৰে জানি, আপনি সেই ব্যৱসায়ে পাৰ্ট্‌নাৰ ছিলেন। সমস্ত টাকা-কড়ি আপনাৰ হাতে ছিল। আপনি যে লোটা-কম্বল আৰ চিমটা নিয়ে এই ৰকম কৰে বেড়িয়ে এলেন, তাৰ মানে কি? অন্ততঃ হাতে দুলাখ টাকা নিয়েওতো আসতে পাৰতেন? আপনি পাৰ্টনাৰ ছিলেন যখন, কে আপনাকে কি কৰতে পাৰত? বৰং আদালতে এই ব্যাপাৰ গেলে, আপনি অৰ্দ্ধেক ব্যৱসায়েৰ অধিকাৰী হতেন।"

মই ভদ্ৰমহিলাক মোৰ নমস্কাৰ জনাই ক'লো—"আপুনি কোৱা কথা সচাঁ। মোৰ মূৰটো নিশ্চয় গোবৰেৰে ভৰা। নহ'লে মোৰ মনলৈ সদায় এই কথা আহিব কিয় যে মোক ধন নালাগে, লাগে শান্তি? আৰু কিয় ত্যাগ মোৰ হেপাহৰ বস্তু হব? আৰু পুবৈশাকৰ চৰ্চৰীয়া, খুদ খুদ মিছা মাছ, আৰু এচিকটা লোণ আজি দিনো পেট প্ৰৱৰ্ত্তাই থাকিব পাৰিলেই মোৰ হ'ল বুলি কিয় মোৰ মনলৈ ভাব আহিব? আৰু আটাইতকৈ মজাৰ কথা যে মই তেনে নকৰিলোঁ কিয় বুলি মোৰ মনত অনুতাপো নহব কিয়?"

মোৰ চিকাৰৰ সঙ্গী মুছলমান বন্ধুজন অৱশ্যে মোৰ শাৰীৰ ভাল মানুহ নহয়। তেওঁৰ মূৰত নিশ্চয় গোবৰ নাই, আছে সু বুদ্ধি আৰু বিষয়-বুদ্ধি।

(৬)

মই চিকাৰী কিন্তু প্ৰজাৰৰীয়াহে আজিলৈকে ৰজাৰৰীয়া হ'ব নোৱাৰিলো। ৰজাই সকলো বেজৰ হাতে দৰব নাখায়। ৰজালৈ মুকীয়াকৈ ৰাজবৈদ্য বা বেজবৰুৱা আছে। অকল তেওঁৰ হাতে বড়ী খাই ৰজা জীয়ে বা মৰে, আৰু সেই বাবে ৰজাই সেই-জনক খিতাপ দি বেজবৰুৱা পাতে। বনৰ ৰজা আৰু দেশৰ ৰজাৰ পচ-পতিত অনেক পাৰ্থক্য থাকিলেও

গোটাচেৰেক খাই কথাত মিল আছে। সেইবোৰ কঁহিয়াই দেখুৱাবলৈ নগৈ ইয়াকে মাথোন কওঁ যে আজিলৈকে বনৰজাই এই চিকাৰীৰ হাতে বড়ী অৰ্থাৎ গুলী খোৱা নাই ; গতিকে তেওঁ ৰজাঘৰীয়া বেজবৰুৱাও হ'ব পৰা নাই,—যদিও সেই বিষয়ত তেওঁৰ পুৰুষাৰ্থৰ ত্ৰুটী নাই। কত দিন, কত ৰাতি তেওঁ গছৰ ওখ ডালত বন্ধা চাঙত হাতত বন্দুক লৈ সজাগ হৈ আৰু উজাগৰে থাকি খাপ দি বহি আছে, বনৰ ৰজাৰ ৰাজ-প্ৰাণ সংহাৰিণী বটিকা এপালি সেৱণ কৰাবলৈ, কিন্তু ৰজাক একোপধ্যে তেওঁ বাধ্যি কৰাব পৰা নাই। যিদিনা পাৰিব সেই দিনাই তেওঁ তেওঁৰ দুৱাৰমুখত ডাঙৰ ডাঙৰ আখৰেৰে জাননী দিব ;— ৰাজবৈদ্য অমুক তমুক।

By Appointment to
His Exalted Highness
The King of the Chamunda Forest,

অৰ্থাৎ চামুণ্ডা হাবিৰ বনৰজাই পতা অমুক বেজবৰুৱা। যিহওক ব্যৰ্থপ্ৰয়াগবোৰৰ কথা বহুলাই নকৈ চমুকৈ তাৰে দুটা চাইটাৰ কথা আজি কম।

পৰমাণপুৰ বোলা এডোখৰ ঠাইৰ হাবি এখনত বাঘ চিকাৰ কৰিবলৈ নগৰীয়া জনচেৰেকেৰে সৈতে ওলালোঁ। আমি একোখন সুকীয়া চাঙত বহিলোঁহক। চিকাৰ আৰম্ভ হল। গিফালৰ পৰা খেদা কৰা মানুহবোৰে লাহে লাহে বাঘ খেদি আনিবলৈ ধৰিলে। মই মোৰ চাঙৰ পৰা দেখিলোঁ, নেজ খৰা বাঘ এটা লৰি আহিছে। কিন্তু সি ইমান আঁতৰেদি আহিব লাগিছে যে মোৰ বন্দুকৰ গুলীয়ে তাক চুকি নাপায়। ক্ষন্তেকৰ পিছতে ফালৰি কাটিলৈ নেদেখা হ'ল। মহাপ্ৰতাপশালী বনৰজ. এনেভাৱে আবিৰ্ভাৱ আৰু তিৰোভাৱত এই চিকাৰীৰ লাভলোকচান একো নহ'ল। মাথোন তেওঁ ব্যৰ্থমনোৰথ হৈ বাৰচেৰেক দাঁত কামুৰিলে।

খেদাৰ অন্তত আমি আটাই কেউজন চিকাৰীয়ে নিজ নিজ উচ্চিছত মঞ্চৰ পৰা অৱতৰণ কৰি লগ লাগি উভতি আহিবলৈ খোজ লৈছোঁ এনেতে মানুহ এটাই লৰি আহি কলে যে সি নলা এটাত বাঘ এটা শুই থকা দেখিছে। কথাটো শুনিয়েই খেদা কৰোঁতাবোৰৰ ভিতৰৰ টেঙৰ কেইটাই লৰি গছত উঠিল। গোটাচেৰেক বিশ্বাশবদে ওখ পব্বতৰ টিং প্ৰালেগৈ ; চিকাৰী কেইজনৰ ভিতৰৰ কোনো কোনো নিজৰ পুৰণি চাঙত পুনৰ উপবিষ্ট হ'ল। মই আৰু আন এজনে সেই মহাজনসকলৰ বাটে নগৈ, হাতত ৰাইফল লৈ আমাক খবৰ দিয়া মানুহটোক লগত লৈ এখোজ দুখোজ কৈ অতি সাৱধানে বাঘ থকা নলাৰ কালে যাবলৈ ধৰিলোঁ। মোৰ নগৰীয়া বন্ধুজন মোৰ আগত, মই পাছত। সেই ঠাইত উপস্থিত হৈয়েই বন্ধুজনে হাবি-বননেৰে ঢাক খাই থকা নলাৰ ভিতৰলৈ জুমি চাই দেখিলে যে হয়, বাঘ এটা তাতে শুই আছে। তেওঁ মোক সাৱধান হৈ বন্দুক সাজু কৰি তেওঁৰ লগে লগে আগবাঢ়িবলৈ কৈ জন্তুটোৰ গাত ওপৰাউপৰিকৈ দুটা গুলী মাৰিলে। বাঘ নাম পোৱা জন্তুটোৱে গুলী খাই ৰাম-বিষ্ণু একোকে নুবুলি মোৰ আমাৰ নগৰীয়া মানুহটোৱে লাহে লাহে ভালকৈ জুমি জুমি সেই জন্তুটোৰ ফালে চাই থিবাং কৰিলে, যে আৰু কোনো ভয় নাই, বন ৰজা মৰি কাঠ হ'ল। খেদা কৰা মানুহ গোটাচেৰেক আমাৰ ওচৰলৈ আগবাঢ়ি আহিল। সিহঁতৰ ভিতৰৰ সাহিয়াল দুটাই আগবাঢ়ি গৈ বনৰজাৰ মৃত দেহ টানি বাহিৰলৈ উলিয়াই আনিলত দেখা গল যে এইটো বাঘ নহয়, বোম্পাও নহয়, বাঘৰ খৰিভাবী হায়েনাহে। তেতিয়া আমাৰ ভিতৰত হাঁহিৰ বোল উঠিল। হায়েনাক আমাৰ অসমত কি বোলে পাহৰিলোঁ। বঙলা ভাষাত হেঁড়েল। বাস্তবিকতে হায়েনাক দূৰৰ পৰা ঢেকীয়া-পতীয়া বাঘটো যেন দেখি। বাঘৰ গাত ঢেকীয়াৰ নিচিনা কাপ কাপ যেনেকৈ থাকে, হায়নাৰ গাতো প্ৰায় তেনেকুৱাই। যি হক সেই দিনাৰ বাঘচিকাৰ সেই ভেকোভাওনাতে ওৰ পৰিল।

এদিন দুপৰীয়া খাইবৈ উঠি মই মোৰ লড়লডি নামৰ জংঘলৰ বঙলাতে বহি আছোঁ, এনেতে এছিষ্টেণ্ট কনজৰ্ভেটৰ অৱ ফৰেষ্ট তেওঁৰ থকা ঠাই চামুণ্ডাৰ পৰা মপছু কৰি তাতে ওলালহি। চামুণ্ডা লড়লডিৰ পৰা পাঁচমাইল দূৰত। তেওঁক দেখি মই আচৰিত হৈ অভিবাদন কৰি, তেওঁৰ মুখলৈ চালত তেওঁ কলে, আপোনাক মই এতিয়াই লৈ যাবলৈ আহিছোঁ, বলক। চামুণ্ডাৰি ফৰেষ্ট বঙলাৰ পৰা প্ৰায় আধামাইল দূৰত গ'ল ৰাতি ব.ঘে এটা গৰু মাৰি থৈছে। আজি সন্ধ্যাবেলিকা বাঘটো নিশ্চয় সেই গৰুটো খাবলৈ আকৌ আহিব। মই তাৰ ওচৰৰে গছ এজোপাত চাং এখন বান্ধিবলৈ মোৰ মানুহক লগাই দি আহিছোঁ। আমি দুয়ো তাতে বহি আজি নিশ্চয় বাঘটো মাৰিমহঁক। খবৰটো শুনি বৰ উৎসাহেৰে মই তেওঁৰ লগত তেতিয়াই চামুণ্ডালৈ আহি আবেলি চাৰিমান বজাত তেওঁৰে সৈতে সেই চাঙত উঠি বন্দুক হাতত লৈ বহিলোঁ। তেতিয়াৰে পৰা নিশাৰসাৰে বহি আছোঁ,—ৰাতি ন মান বাজিলগৈ কিন্তু বাঘ ভায়াই অনুগ্ৰহ কৰি দেখা নিদিলে। আমি বুজিব পাৰিছিলোঁ যে বাঘটো ওচৰতে কৰবাত লুকাই আছে। কিন্তু কেনেবাকৈ সি আমি সেই চাঙত বহি থকাটো গম পাই ওলোৱা নাই। বাঘলৈ বাট চাই আমনি লাগি ৰাতি ন মান বজাত আমি সেই চাঙৰ ওপৰৰ পৰা নামি ঘৰলৈ উভতিবলৈ মন কৰিলোঁ। চাঙৰ পৰা নামিবলৈ জখলা নাছিল। উঠোঁতে তেও

আমি গা-গছ্‌ডাল বগাইছে উঠিছিলো। নামোতেও তাকে কৰিবলগীয়াত পৰিলোঁ। প্ৰথমতে প্ৰয়াস কৰি নামি আহোঁতে আদখিনিমান বাটৰ পৰা পিছলি তলত পৰিলোঁহি। মোক পৰা দেখি এছিষ্টেণ্ট কন্‌জভেটৰ উস্ উস্ আস্ আস্ কৰিবলৈ ধৰিলে, আৰু ততালিকে নামি আহি মোক সুধিলে, মই কৰবাত দুখ পাইছোঁ নে বুলি। মই যদিও কঁকালত অলপ দুখ পাইছিলোঁ তথাপি নাই পোৱা বুলি কলোঁ। কিন্তু মোৰ কঁকালৰ বিষৰ ভইন এমাহমানলৈকে মৰা নাছিল।

চাৰ্নুওাৰ বঙলালৈ আহি আমি দুয়ো পৰামৰ্শ কৰি থিৰ কৰিলোঁ যে কাইলৈ সেই ডোখৰ হাবি অনেক দূৰৰ পৰা খেদা কৰামহঁক। খেদা কৰালে নিশ্চয় বাঘটোক পাম। কাৰণ সি শেহ ৰাতি গৰুটো খাই তাৰ পৰা ওলাই নগৈ সেই হাবিৰে এঠাইত শুই থাকিব।

পিছ দিনা খেদা কৰা গ'ল। চাৰিকুৰিমান মানুহে হাবিডোখৰৰ তিনিফালে বেঢ়ি বাঘটোক আমাৰ ফালে খেদি আনিলে। আমি দুয়ো আঁতৰে আঁতৰে দুখন সুকীয়া চাঙত। এটা সুৰুকীয়া গলাইদি বাঘটো মোৰ ফালে অহা দেখিলোঁ। প্ৰকাণ্ড বাঘ দূৰতে তাক দেখি মোৰ উদ্বেগ বাঢ়িল। সি মোৰ ফালে ওচৰ চাপি আহিবলৈ মই বাট নাচাই খপজপাই দিলোঁ গুলী মাৰি। গুলী বাঘৰ গাত নালাগি গল কেনিবা উৰি। বাঘে তাৰ নেগুৰডাল থিয়কৈ ফালৰি কাটি এছিষ্টেণ্ট কন্‌জৰ্ভেটৰৰ ফালে লৰ দিলে। তেৱোঁ মাৰিলে এগুলী। সেই গুলীও বাঘৰ গাত নালাগিল; আৰু সেইখিনিতে সেই বাঘ চিকাৰৰ আধ্যা পৰিল।

আমাৰ চিকাৰৰ কৃতিত্বৰ বিষয়ে সেই খেদা-কৰোঁতা মানুহে কণাকণি কৰাৰ কথা পিছত আমি যি শুনিবলৈ পালোঁ সেই মন্তব্য আমাৰ পক্ষে থাইকৈ মোৰ পক্ষে গৌৰৱজনক নহয় দেখি, তাৰ উল্লেখ নকৰি ভদ্ৰলোকটি হৈ বহি থকাই শ্ৰেয়ঃকৰ ভাবি মৌনাৱলম্বন কৰিলোঁ।

বাঘচিকাৰ কৰিবলৈ যাওঁতে কত বাৰ যে মোৰ এনে বিধৰ কৃতিত্ব প্ৰকাশ হৈছে, তাৰ বৰ্ণনা দি প্ৰবন্ধ বঢ়োৱাটো অনাৱশ্যক, মাথোন আৰু এটা বা দুটাৰ বিষয় যৎকিঞ্চিত উল্লেখ কৰিম।

দুৰ্গাপালি গৱৰ্ণমেণ্টৰ ৰিজাভ ফৰেষ্ট। সম্বল-পুৰৰ পৰা ছমাইল দূৰত। তাত এটা পৰ্ব্বতৰ ওপৰত চিকাৰৰ বন্দবস্ত কৰি চিকাৰ কৰিবলৈ গলোঁ। সম্বলপুৰৰ ডিপুটী কমিছনৰ, ডিভিজনেল ফৰেষ্ট অফিচাৰ, এছিষ্টেণ্ট কনজৰ্ভেটৰ অব ফৰেষ্ট আৰু মই। এই কেইজনেৰে চিকাৰৰ দলটো গঠিত। তিনিখন চাং বন্ধা হৈছিল। এখনত ডিপুটী কমিছনাৰ, এখনত ডিভিজনেল ফৰেষ্ট অফিচাৰ আৰু এখনত মই। মোৰ লগত এছিষ্টেণ্ট কনজৰ্ভেটৰঅব্ ফৰেষ্ট বহিছিল। খেদা আৰম্ভ হোৱাৰ অলপৰ পিছতে মোৰ চাঙৰ পৰা ৫০ হাত মান দূৰত এটা ডাঙৰ ঢেকীযাপতীয়া বাঘৰ মূৰটো আমি দেখিলোঁ। বাঘটো হাবিৰ পৰা তাৰ মূৰটো উলিয়ায়েই, গাবিডোখৰ ওখ ঘাঁহেৰে আবৃত ৰাখি থমকি ৰল। মই তাৰ মূৰলৈ গুলী মাৰিবলৈ বন্দুকটো যেই টোৱাইছোঁ, মোৰ লগত বহি থকা এছিষ্টেণ্ট কনজভেটৰ-অব্-ফৰেষ্টে হঠাৎ মোৰ হাতত থাপ মাৰি ধৰিলে। মই আচৰিত হৈ কাৰণ সুধিলত তেওঁ কলে, "অলপ পিছত"। বাঘটো আৰু অলপ আগবাঢ়িল আৰু মূৰটোৰে সৈতে তাৰ গলধনটো দেখা হ'ল। মই গুলী মাৰিবলৈ আকৌ উদ্যম কৰাত তেওঁ আকৌ থাপ মাৰি মোৰ হাতত ধৰিলে। তেওঁৰ এনে অদ্ভুত ব্যৱহাৰত মই বিৰক্ত হৈ মোৰ হাতটো এৰি দিবলৈ কত বাৰ তেওঁক কলোঁ, কিন্তু একোতে তেওঁ হাতৰ খামোচ নেৰিলে। বাঘৰ কি গৰজ যে সি আমাৰ সেই বঢ়া আজোৰৰ থকাথুন্দাখন শুনি আৰালে ডিঙিটো পাতি বহি থাকিব। সি প্ৰকাণ্ড জাপ মাৰি পলাই গুচি গ'ল। এনে সুবিধাৰ অৱস্থাত মই বাঘটো মাৰিবলৈ নাপালোঁ দেখি মোৰ মনত বেয়া লাগিল। সেই ভদ্ৰলোকজনৰ তেনেকুৱা ব্যৱহাৰৰ মানে আম একো নহয় মাথোন ভয় যদিও তেওঁ সেই কথা লৈ নাকাটি লোকৰ আগত বাজে কাৰণ দেখুৱাইছিল। এই বাঘচিকাৰৰ এই ওনা এই দৰেই দেলে।

মোৰ বাঘচিকাৰৰ ব্যৰ্থ প্ৰয়াসৰ বিষয়ে ঘটা অনেক ঘটনাৰ ওপৰেদি জপিয়াই গৈ আজি ছমাহৰ আগেয়ে ঘটা ঘটনা এটা মাথোন এইখিনিতে উল্লেখ কৰি আজিৰ প্ৰবন্ধৰ সামৰণি মাৰিম।

মোৰ সহধৰ্ম্মিনী, ৰৰজোঁৱাই, ৰৰজী আৰু মই সম্বলপুৰৰ ডিপুটী কমিছনাৰৰ নিমন্ত্ৰিত অতিথি হৈ চাৰুণ্ডৰি হাবিত চিকাৰ কৰিবলৈ গলোঁ। চাৰুণ্ডাত যদিও এটা ডাঙৰ ফৰেষ্ট বঙলা আছে তথাপি তিনি চাৰিটা সুন্দৰ তাম্বিৰ তৰা হৈছিল। চিকাৰৰ এই দলটোত আছিল—সম্বলপুৰৰ ডিপুটী কমিছনাৰ, তেওঁৰ সহধৰ্ম্মিনী, তেওঁলোকৰ ল'ৰা-ছোৱালী, ডিলাটি মোৰ ৰৰজোঁৱাই ৰৰজী, মোৰ সহধৰ্ম্মিনী মই, মোৰ সৰু সৰু নাতি-নাতিনী দুটি আৰু পুলিচৰ ছোট চাহাব। আমি তাত চাৰি দিন আছিলোঁহক। খোৱাবোৱা আৰু নানা আমোদ আহলাদৰ আড়ম্বৰ খুব হৈছিল। প্ৰত্যেক দিন আমি দুবাৰকৈ বাঘ, বৰা, ভালুক, পহু ইত্যাদি মাৰিবলৈ গৈছিলোঁ। আমি আগৈ বাঘৰ আগদিনা বাঘ থকা ঠাইত এটা "কিল" (Kill) অৰ্থাৎ জন্তুৰ টোপ বান্ধি থোৱা

হৈছিল। সেই জন্তুটোক বাঘে মাৰিছিল। আমি যোৱা দিনা আকৌ এটা "কিল" বন্ধা হ'ল; আৰু আমি গাইপতি একোখন সুকীয়া চাঙত সন্ধ্যা লগাৰ পৰা বহি ৰাতি ন মান বজালৈকে বাঘলৈ খাপ দি আছিলোঁ, কিন্তু বাঘ নোলাল। ৯ বজাৰ পিছত আমি চাঙৰ পৰা নামি থকা ঠাইলৈ উভতি আহিলোঁ, কিন্তু "কিলটো" তাতে বান্ধি থৈ। পিছ দিনা পুৱা খবৰ পোৱা গ'ল যে আমি গুচি অহাৰ পিছত সেই দিনা আমি চিকাৰী কেইজনে আবেলি চাৰিমান বজাতে আমাৰ নিৰ্দ্দিষ্ট নিজ নিজ চাঙত বহি বাঘলৈ বাট চাই ৰলোঁহক। দিনৰ চাৰি বজাৰ পৰা ওৰে ৰাতি আৰু তাৰ পিছ দিনা পুৱা ছয়বজালৈকে আমি আমাৰ চাঙৰ ওপৰতে আছিলোঁহঁক। বাঘে কিন্তু আমাক দেখা নিদিলে। আমিও সহজে এৰিবৰ পাত্ৰ নহওঁ। আকৌ পিছ দিনা সন্ধ্যাৰ সময়ত আমি চাঙত উঠিলোঁগৈ। কিন্তু হঠাৎ এটা দুৰ্ঘটনা ঘটি সেই দিনাৰ আমাৰ সকলো প্ৰয়াস পণ্ড কৰি দিলে। আৰু সেই দুৰ্ঘটনাৰ কাৰণ মই। মই চাঙত উঠোঁতে গধূলি পাৰ হৈ যোৱা এন্ধাৰ। এন্ধাৰেমুধাৰে মই মোৰ ৰাইফলৰ মেগেজিনত চাৰিটা গুলী ভৰাই এটা বেৰেল অৰ্থাৎ নলীৰ ভিতৰত খাজিলোঁ। কিন্তু হঠাৎ গম পালোঁ যে গুলীবোৰ "জাম" হৈ গ'ল অৰ্থাৎ অলপো লৰচৰ নকৰা হ'ল আৰু ৰাইফলটো বন্ধ নোহোৱা হ'ল। হাতেৰে খপিয়াই 'জাম' গুচাবলৈ মই চেষ্টা কৰোঁতেই হঠাৎ তাৰ পৰা এটা গুলীৰ আৱাজ হ'ল। মই ব্যতিব্যস্ত হৈ সেই ভুল শুধৰাবলৈ যাওঁতেই আকৌ এটা গুলীৰ আৱাজ হ'ল। ভাগ্যে সেই গুলীৰ দুটা যোৱা বাটেদি কোনো নাছিল, নতুবা ভয়ানক কাণ্ড হ'লহেঁতেন। গুলীৰ দুৰাৰ আৱাজত গোটেই হাবি তল-ওপৰ লাগি পৰিল। ওচৰত বাঘ আছিল যদি (সম্ভৱতঃ আছিল) সি চাপলি মেলি দূৰ দূৰণি পালেগৈ। ইয়াৰ পিছত আৰু তাত চিকাৰৰ আশাত বহি থকাটো মিছা জানি আমি উভতি থকা ঠাইলৈ আহিলোঁহক। মোৰ দ্বাৰাই সেই বিপৰ্য্যয় ঘটি সেই দিনাৰ চিকাৰ পণ্ড হৈ সকলোকে নিৰাশা কৰাত মই যে মনত কিমান লাজ আৰু দুখ পাইছিলো তাক কৈ এটাৰ নোৱাৰে।। মোৰ মনত ইমান ধিক্কাৰ লাগিছিল যে "আজিৰ পৰা মোৰ ৰাইফলত হাত নিদিওঁ" বুলি মই সঙ্কল্প কৰিছিলো। অৱশ্যে সেই সঙ্কল্প আজিলৈকে লৰচৰ হোৱা নাই; পিছত কি হয় ক'ব নোৱাৰোঁ। আৰু দুটা ক্ষুদ্ৰ ঘটনাৰ কথা ইয়াৰ লগতে কৈ মোৰ মৃগয়াৰ ইতিহাসৰ ওৰ পেলাম।

বহু দিনৰ আগৰ কথা। মই টঙাৰে মোৰ হাবিৰ পৰা উভতি সম্বলপুৰৰ ঘৰলৈ আহিব লাগিছোঁ। লগতে মোৰ সহধৰ্ম্মিনীও আছিল। এটা শুকান নলা পাৰ হৈ আহিছোঁ, এনেতে সেই নলাৰ ভিতৰতে অলপ দূৰত এদোঙা পানীত কিবা ডাঙৰ ক'লা জন্তু এটা মেৰ বান্ধি ওপঙি থকা যেন দেখিলোঁ। টঙাৰ গৰু খেদোৱা মানুহটোক টঙা ৰাখিবলৈ কৈ, সেইটো কি দূৰৰ পৰা চাই আহিবলৈ পঠিয়ালো। সি খুপি খুপি হাতত সাৰে ভৰিত সাৰে গৈ চাই উভতি আহি ক'লে যে সেইটো প্ৰকাণ্ড অজগৰ সাপ আধাৰি পকাই পানীত পৰি আছে। মই লৰালৰিকৈ মোৰ বন্দুকত গুলী খাজি লৈ লাহে লাহে গৰাইদি গৈ দিলোঁ গুলি। মোৰ গুলিটো তাৰ গাত পৰি ধুপচকৰে উঠিল। আৰু এগুলী মাৰিলোঁ। সেই গুলীটো পৰিও তেনেকুৱা শব্দ হ'ল অথচ জন্তুটোৱে অলপো কেৰমেৰ কৰা নাই। মোৰ সন্দেহ হৈ ওচৰলৈ গৈ জুপি চাই দেখিলো যে সেইটো এটা মৰা শিয়ালৰ শব উখহি তেনেকৈ পৰি আছে। তেতিয়া আমাৰ যে হাঁহি উঠিল, কি ক'ম।

আৰু এটা ঘটনাৰ কথা কওঁ। আজি এবছৰমান হৈছে। মই মোৰ সহধৰ্ম্মিনী, মোৰ মাজুজোৱাই মাজুজীৰে সৈতে মোৰ জঙ্গলৰ পৰা সম্বলপুৰৰ ফালে উভতি আহিছোঁ। আবেলি চাৰিমান বাজিছে। বাটৰ কাষৰ হাবিৰ ভিতৰৰ এখন বিলত কিছুমান হাঁহ পৰি থকা দেখি মোৰ মাজুজোঁৱায়ে হাতত বন্দুক লৈ হাঁহ মাৰিবলৈ নামিল। ময়ো লগে লগে নামিলো। আমাৰ লগত যোৱা চাপৰাচীটো আমাৰ অলপ আগে আগে গৈছিল। সি হঠাৎ থমকি ৰৈ লাহে লাহে আমাৰ ফালে উভতি আহি আমাক ক'লে, "হুজুৰ,। ৰৰা ৰৰা।" আমি দুয়ো কুজা হৈ আগবাঢ়ি গৈ জুপি জুপি চাই দেখিলোঁ যে হয়— অনেক ৰৰা-গাহৰি। দুয়ো বন্দুকৰ ঘোঁৰা তুলি দুটালৈ গুলী মাৰিব খুজিছো এনেতে আমাৰ আন এটা চাপৰাচী লৰি আহি আমাক ক'লে "হুজুৰ। নামাৰিব, নামাৰিব। সেই জাক ঘৰচীয়া গাহৰি।" আমি হঠাৎ ক্ষান্ত দি উঠি চাওঁ হয় ঘৰচীয়া গাহৰিহে। তাৰ পিছতে দূৰত তাৰ ৰখীয়া এটাকো দেখিলোঁ। এক নিমিষৰ নিমিত্তে আমি সেই ভুলৰ হাত সাৰিলোঁ। নতুবা তাৰ গৰাকীক দুটা গাহৰিৰ বেচ ক্ষতিপূৰণেৰে সৈতে দিব লাগিলেহেঁতেন। অৱশ্যে সেই নিৰ্জ্জন হাবিৰ ভিতৰত যে কোনোবাই এজাক গাহৰি লৈ গৈ চৰাব, সেইটো সহজে মনত নেখেলায়। *

* 'আৱাহন'ৰ ২য় বছৰৰ (১৮৫২. ৫৩ শক) পাঁচ সংখ্যাত প্ৰকাশ হোৱা প্ৰবন্ধ। খ—২)

মোৰ মাতৃমুখ দৰ্শন

প্ৰথম অধ্যায়

ডেৰকুৰি কি দুকুৰি বছৰৰ মূৰত এইবাৰ মোৰ মাতৃমুখ দৰ্শন ঘটিল। ইমান বছৰ মই মোৰ জীৱনটো বাহিৰে বাহিৰে কটাযেই বুঢ়া কৰিলো। কাৰ্য্যটো নিশ্চয় আপচু। কিন্তু কিয় যে তেনে হৈছিল, তাৰ সন্তোষজনক কৈফিয়ৎ মই দিব নোৱাৰোঁ। মহাপুৰুষৰ কীৰ্ত্তনঘোষাত আছে,—

"নকৰিলো শিৰে মাধৱক নমস্কাৰ।
ইটো মাথাপোট মোৰ ভৈল মহাভাৰ॥"

ইত্যাদি পদবোৰো মোৰ বিষয়ে খটাই চলাই দিব পাৰি, মাথোন মাধৱৰ ঠাইত মাতৃ শব্দটো বহুৱাই দিলেই হ'ব। সিদিনা শিৱসাগৰত বঙা এখন সভাত মোৰ ডেকা বন্ধু এজনে মোৰ এনে আচৰণৰ বিষয়ে কাৰণ এটা দিছিল,—মই হেনো গপ বা ওফোন্দ পাতিহে এনে কৰি আছিলোঁ। মই অৱশ্যে তেওঁক তেতিয়াই কৈ দিবলৈ নহ'ল, যে 'ৰামচন্দ্ৰ! সেইবোৰ একো নহয় দেওহে। গপো নহয় ওফোন্দো নহয়। হয় যদি ই এটা শাওপাতহে।" শাওপাতত পৰিলে মানুহে পানীত এডিঙিলৈকে নামিও পিয়াহত শুকাই মৰে। মহাত্মা কবীৰে কৈছিল,—

"পানীমে মীন পিয়াসী।
মোক শুনত শুনত লাগে হাসি॥"

শাওপাত—সন্নিপাতে পোৱা দুটা প্ৰাণীয়ে নৈখনৰ ইপাৰে এটা আৰু সিপাৰে আনটো থকি একেলগ হ'বলৈ নাপাই, ওৰেৰাতি চিঞৰি কান্দি মৰে। এনেকুৱা শাওপাতত পৰিয়েই একঠা মাটিৰ নিমিত্তে দুই ভায়ে কিলাকিলি মৰামৰি গোচৰ কৰিয়াদ কৰি সৰ্ব্বস্বান্ত হৈ মৰে, তথাপি আপোচে মিত্ৰতাত কৰি মিলিজুলি পৈতৃক সম্পত্তি খাইনেলি থাকিব নোৱাৰে। এনে শাওপাতৰ নিমিত্তেই দুৰ্য্যোধনে পাঁচ পাণ্ডৱক পাঁচখন গাঁও দিয়ক ছাৰি বেজীৰ আগটোৱে ঢাকিব পৰা মাটিকণ পৰ্য্যন্ত নিদিওঁ বুলি যুঁজ কৰি মৰিল। শাওপাত বা খোদাৰ গজপত পৰি দুই ভাই হিন্দু মুছলমানে ফুটুকাৰ ফেন সোপা বা নকটা খেৰৰ নল-মুঠিৰ ভাগ বিচাৰি, মিছাতে দন্দহাই কটাকটি কৰি মৰি লোকৰ হাঁহি-যাতৰ পাত্ৰ হ'ব লাগিছে, তথাপি তেওঁলোকৰ গালৈ চেতন অহা নাই। মথুৰা আৰু বৃন্দাবনৰ মাজত ব্যৱধান ছমাইল কি দহ মাইল। বিধিৰ এনে বিধানতে পৰিযেই বৃন্দাবনচন্দ্ৰই এইফেৰাকে ডেই মথুৰাৰ পৰা গৈ বৃন্দাবনত মাক-বাপেক আৰু গোপী-সকলক দেখা দিব পৰা নাছিল। সাঁতোৰা বিদ্যাত পানীৰ পোক যেন একোজন নিযতিৰ হাতত পৰি একাঠু পানীত পৰি বুৰি মৰে। বিধিলিপি আগ্ৰহ্য কৰিব নোৱাৰিযেই অমুক লক্ষপতিয়ে ধনখৰচৰ ভয়ত নখোনে থাকি আঠুমূৰীয়া চুৰিয়া পিন্ধি জীৱন কটায়। এনে শাওপাতৰ পাকত পৰিয়েই অমুক মাৰোৱাৰী মহাজনে ডাক্তৰক ভিজিট দিবৰ ভয়ত, ধন আৰু নোটেৰে খুন্দা খাই থকা লোৰ পেৰাৰ গঁচাৰকাঠিটো নিজৰ গাৰুৰ তলত থৈ ডাক্তৰক নামাতি লেকেটীয়া নৰীয়াত ভুগি মৰি যায় আৰু এনে গচৰ শাওপাতত পৰিয়েই ছুপ ৰূপ দৰ্শহ্য পোৱা অমুক ছ্ৰজজে খৰচৰ ভয়ত জাৰকালি মাথোন ফটা কঁথা এখন গাত মেৰিয়াই লৈয়েই চালপীৰাত বহি জজমেণ্ট লেখি জীৱন কটায়। সেইদেখি মুঠতে কওঁ যে মোৰ এই কাৰ্য্য গপ, অহঙ্কাৰ, অভিমান বা ওকোন্দৰ শাৰীৰ নহয়। ই বিধিৰ বিতং বিধানং অদৃষ্টৰ ফল; মঙ্গলত নিয়তিৰ নিয়মিত। বাৰণে কৰিবলৈ পাচ্চি যোৱা স্বৰ্গৰ জখলাটো কৰিব নোৱাৰিলে, লোণ সাগৰখন

সিঁচি পেলাই, লঙ্কাৰ চাৰিউফালে গাখীৰৰ সাগৰখন বোৱাই আনিব নোৱাৰিলে, ঠিক এনেকুৱা দৈৱৰ বলতেই ।

কোনো মানুহক সবাহলৈ নিমন্ত্ৰণ কৰা আৰু তাক টেকেলা লগাই ধৰাই লৈ যোৱা, এই দুটাৰ ভিতৰত প্ৰভেদ বিস্তৰ । নিমন্ত্ৰণ পাওঁতাজনৰ সবাহলৈ যাবৰ মন থাকিলেও আৰু সবাহত তেওঁৰ অপাৰ আনন্দ লাভৰ সম্পূৰ্ণ আগন্তুক থাকিলেও, অনেক সময়ত এলাহ, ভাগৰ, খেৰোগেৰো ইত্যাদি এশ এটা মনে-গঢ়া আহকাল তাৰ ভিতৰত সোমাই সেইবোৰে জুমুৰি দি ধৰি গোটেইখন খেলিমেলি লগাই তাত ব্যাঘাত জন্মায় । কিন্তু তেওঁক ধৰি লৈ যাবলৈ অহা টেকেলাৰ লাখুটিৰ আগত সেই মকৰা-জালবাৰ আৰু থাকিব নোৱাৰে । যাম, যোৱাটো উচিত, গলে ভাল, নোযোৱাটো বেয়া ইত্যাদিবোৰ যদিও ধুনপচ মৰা গাভৰুৰ দলৰ দৰে তথাপি হাঁহি, হেকটি, ভাগৰ, খৰচৰ ভয় প্ৰভৃতি নিগনি, শলিয়া, বিছা, চেলা, পইতাচোৰাৰ হঠাৎ তেওঁলোকৰ আগত আবিৰ্ভাৱ হলে, সেই দলটি সম্ভৱত: ছেদেলি-ভেদেলি হব । "আহিবই লাগিব, এৰণ নাই" এইষাৰ "আহক, অহা উচিততকৈ" নিশ্চয় বলী । মাতৃভূমিয়ে এই চিৰপ্ৰৱস্থৱাক সদায় মাতি আছিল, কিন্তু সেই মতা ৰাজহুৱা ডাক । এই ডাক যদিও বিৰাট তথাপি সি নিৰ্দ্দিষ্ট আকৃতি গ্ৰহণ কৰি মোৰ আগত দেখা দিয়া নাছিল দেখি তাৰ শক্তি মোৰ পক্ষে বিক্ষিপ্ত আৰু দুৰ্ব্বল হৈ আছিল । বিষ্ণু সৰ্ব্বব্যাপী সৰ্ব্বস্থিত ব্যাপ্ত অৱস্থাত এই বিভুৰ শক্তি যদিও বিৰাট মহান, তথাপি সৰ্ব্বসাধাৰণ বিষয়ী সংসাৰীৰ পক্ষে সি ক্ষীণ । কিন্তু যেতিয়া তেওঁ ভক্তৰ আহ্বানত নিৰ্দ্দিষ্ট মূৰ্ত্তি পৰিগ্ৰহ কৰি বাহিৰ হয়, তেতিয়া সি ঘোৰ নৰসিংহৰূপী ; হিৰণ্যকশিপুৰ কালান্তক আৰু প্ৰহলাদৰ প্ৰশান্ত পুৰুষ তেতিয়া সেই শক্তি অগ্ৰাহ্য অমান্যৰ স্ফটিকৰ স্তম্ভৰ বাহিৰত । মাতৃৰ ব্যাপ্ত অশৰীৰী ডাকে যেতিয়া মূৰ্ত্তি পৰিগ্ৰহ কৰি বাজ হল, তেতিয়া আৰু এই অধম সন্তানৰ মূৰ তেওঁৰ চৰণত ভক্তি গদ্‌গদ্‌ভাবে স্বভাৱতে নত হৈ পৰিল । তেতিয়া এলাহ, অমনোযোগ, শৈথিল্য, সকলোবোৰ নৃসিংহৰ আগত দৈত্যেন্দ্ৰৰ চিচিনা ক্ষুদ্ৰাতিক্ষুদ্ৰ হৈ পৰিল ।

"নেদেখিয় দৈত্যেন্দ্ৰক নৃসিংহৰ পাশে ।
লুকাই পতঙ্গ যেন অগনিত জাসে ॥"

দুৰ্গা পূজাৰ বন্ধত ৰেল কোম্পানীয়ে যাত্ৰীক ভেৰোণৰ সুবিধা কৰি দিয়া সুবিধাকে লৈ ১৮৩০ খৃষ্টাব্দৰ ১৯ ছেপ্টেম্বৰত অসমলৈ বুলি যাত্ৰা কৰি আমি সম্বলপুৰ এৰিলোঁ । লগত মোৰ সহধৰ্ম্মিণী আৰু সৰুটী কন্যা । মানুহৰ মুখে মুখে প্ৰচলিত একাষাৰ সংস্কৃত শ্লোক আছে যে "পথে নাৰী বিবৰ্জ্জিতা ।" কব নোৱাৰোঁ সেই শ্লোক কোনে কৰিছিল । মই কিন্তু তাৰ অনুশাসন মানি নচলোঁ । নিশ্চয় শ্লোক কৰোঁতাই তিৰুতাক গলগ্ৰহ ভাবি সেই শ্লোক ৰচনা কৰিছিল । হব পাৰে, নানা কাৰণত শ্লোক ৰচকৰ তেনে অৱস্থাত দুৰৱস্থা ঘটিছিল । সেইদেখি শ্লোক ৰচক পুতৌৰহে যোগ্য, খঙৰ নহয় । মই কওঁ মোৰ বহুদৰ্শনত "পথে নাৰী বিবৰ্জ্জিতা" নহয় সম্পূজিতাহে । বয়বস্তু দেখাশুনা, লাগিলে ৰেলৰ টিকট পৰ্য্যন্ত কিনা, ঘণ্টাই ঘণ্টাই ফলটো, পিঠাখন চাহপানীটোপা যতনাই খুৱাই বাটৰ ভোকক ৰেলৰ খোঁটালীৰ ভিতৰৰ পৰা গতিয়াই উলিয়াই দিয়া, শুবলৈ পাটীখন পাৰি দিয়া, গাৰুটো মূৰৰ তলত গুজি দিয়া, আৱশ্যক হলে বিছনীৰে মূৰৰ ওপৰত বিছি ঘামৰ কণকঠীয়া মৰা ইত্যাদি এশ এটা সৰু বৰ কাম ৰেলৰ পথত আমাৰ তেওঁৰ দ্বাৰাই সুসম্পাদিত হৈ যাত্ৰা সুখাতিসুখকৰ মোৰ পক্ষে সদায় হয় । সেইদেখি মই কবলৈ বাধ্য যে মোৰ পক্ষে নাৰী পথত যে গলগ্ৰহ নহয়েই বৰং গলৰ মালাহে হৈ পৰে আৰু কৱিতা কৰি কলে, সিয়ো মালতীৰ মালা ।

বি, এন, আৰ অৰ্থাৎ বেঙ্গল–নাগপুৰ ৰেলৰ ঝাৰ-সোগোড়া জংঝন সম্বলপুৰৰ পৰা ৩১ মাইল দূৰত । গধূলি চাৰে পাঁচ বজাত সম্বলপুৰৰ ৰেলত উঠি দুঘণ্টামানৰ মূৰত ঝাৰসোগোড়া পোৱাগৈ যায় । তাত চাৰে সাত বজাত কলিকতাৰ ফালে যোৱা বোম্বাই মেল গাড়ীত উঠিব লাগে । কিন্তু সেই-দিনা আমাৰ কপালত দুৰ্গতি লেখা আছিল ; গতিকে ডাকগাড়ীৰে সৈতে আমাৰ বাহি নাহিল । আমি ঝাৰসোগোড়া পোৱাৰ আগতে বোম্বাই মেইলে আমাৰ বুকুত বিৰহৰ অগনি জ্বালি দি গুচি গল । ডাক-গাড়ী হেৰুৱাই আমি না-জল না-স্থলত পৰিলোঁ । আমাৰ সম্বলপুৰৰ গাড়ীয়ে যে পলম কৰি আহি মেইল ধৰিব নোৱাৰিলে, তাকে গুণি-গাথি আমাৰ বিলাই-বিপত্তিৰ কাৰণে সম্বলপুৰৰ গাড়ীক পাৰোঁ মানে গালি পাৰি ঝাৰসোগোড়া ষ্টেচনতে ৰহি আছোঁহঁক । এনেতে কোনোবাই কলে যে ৰাতি দুই কি তিনিমান বজাত এখন পেছেঞ্জাৰ গাড়ী ঝাৰসোগোড়াৰ পৰা কলিকতালৈ যায়, সেইখনতে আমাৰ যোৱা উচিত । নিৰুপায় হৈ টোপনি ক্ষতি কৰি খাপ দি সেই শেহৰাতীয়া গাড়ীখনতে উঠিলোঁহক । ফলত, ৰাতিৰ বাকীছোখৰ আৰু পিছদিনাৰ গোটেইটো দিন, সেই ঢেকেৰ্ ঢেকেৰ্ পেছেঞ্জাৰ গাড়ীতে খপি কুৰি ভাৰিখে ৰাতি আঠমান বজাত কলিকতা পালোঁগৈ । বাটত আমাৰ অগাহাৰ

বুলিলেও, সবহকৈ বঢ়াই কোৱা নহয়। যাওঁতে মনত খেলাইছিল যে হিচাপৰ বহীত ইমান বছৰৰ বাকী পৰি থকা আঁউসী, একাদশীবোৰে সিহঁতৰ পাওনা ৰাচিল কৰিবলৈ যেন হাতত ৰামটাওোন লৈ কাবুলীৰ দৰে আমাৰ গাড়ীৰ খেঁাটালীৰ দুৱাৰ-মুখত থিয় হৈ আছে আৰু লাখুটিৰ আগৰে বাকী পাওনা আদায় কৰি লৈহে উভতি যাব। আচলতে মেইল গাড়ীত মাখোন ৰাতিটো গৈ পুৱাই কলিকতা পামগৈ বুলি আমি লগত খাবলৈ প্ৰায় একোকে নিয়া নাছিলোঁ। প্ৰায় এই বাবে বুলিছোঁ যে দিনৌ চাৰি সাজকৈ খাই বদ্‌অভ্যাসত পৰা আমাৰ লগত যি আছিল, সি নিঃ+ৰস সন্ধিৰ "ৰ"ৰ আগৰ পৰা বিসৰ্গ লোপ হৈ নীৰস হোৱাৰ দৰে এসাজতে নীৰস হৈ লুপ্ত হৈ গ'ল। পেছেঞ্জাৰ গাড়ীত ডাইনিং কাৰ নাথাকে। বাটৰ দুঠাইত এঠাইত যি "ৰিফ্ৰেছমেণ্ট কম" আছে, সেইবোৰে পেছেঞ্জাৰ গাড়ীৰ অধীনতা স্বীকাৰ নকৰে। তথাপি গাৰ্ডক কৈ খৰগ্‌পুৰ আৰু চক্ৰধৰপুৰ ৰিফ্ৰেছমেণ্ট ৰুমৰ মেনেজাৰলৈ মই টেলিগ্ৰাফ কৰালোঁ, যাতে আমালৈ অলপ আহাৰৰ আযোজন কৰি থয়। কিন্তু ক'ৰ টেলিগ্ৰাম ক'লৈ উৰি গল, তাৰ কৰ্ত্তা কৰ্ম্ম কৰণ অধিকৰণসকলেহে জানে। সেই দুই ঠাইতে ৰিফ্ৰেছমেণ্ট ৰুমৰ মেনেজাৰে আমালৈ একো আযোজনকে নকৰি, টেলিগ্ৰাফ নাই পোৱা বুলি কৈ গা সাৰিলে, যদিও আমি আমাৰ পেটৰ ভোকক তেনেকৈ কিবা এটা কৈফিয়ৎ দি গা সাৰিব নোৱাৰিলোহঁক। ফুটা নাৱত চিৰচিৰকৈ পানী সোমোৱাদি ওৰে দিনটো আমাৰ পেটত ভোকে চিৰচিৰাই আছিল। নাৱৰীয়াই নাৱৰ ফুটাত ফটা-কানিৰ সোপা দিয়াদি, ষ্টেছনত বিক্ৰী কৰা কচুৰি শিঙৰা এসোপাকৈ কিনি লৈ আমি যদিও ভোকৰ ফুটাত সোপা দিবলৈ ধৰিলোঁ, কিন্তু গাখীৰৰ হেঁপাহ ঘোলে কেনেকৈ পলুৱায়? তেনে অৱস্থাৰেই ভোকত লেকাত লাগি গৈ আমি ৰাতি কলিকতা পালোঁগৈ। য'ত উঠিলোঁগৈ, তাত লৰালৰিকৈ ভাত আৰু মাছৰ আঞ্জা ৰন্ধাই খাই পেটক প্ৰবোধ দি সেই ৰাতিৰ নিমিত্তে শুই থাকিলোঁহক। কৰলৈ পাহৰিছোঁ যে বাটত আমাৰ অশান্তি বাহিৰে ভিতৰে সমানে চলিছিল। মগনিয়াৰে বাটৰ এফালৰ পৰা আৰম্ভ কৰি ঘৰে ঘৰে মাগি পইচা বুটলি ফুৰাদি পেছেঞ্জাৰ গাড়ীয়ে প্ৰায় সকলো ষ্টেছনতে বৈ বৈ যাত্ৰী বুটলি ফুৰে। আমি ৰাবসোগোড়াৰ পৰা যাওঁতে আমাৰ দ্বিতীয় শ্ৰেণীৰ খেঁাটালীত আন কোনো নাছিল। কিন্তু লাহে লাহে আমাৰ গাড়ী-খনে দুজন এজনকৈ যাত্ৰী বুটলি আমাৰ খেঁাটালী ভৰাই পেলালে। আটাইতকৈ আহকালৰ কথা হৈছিল, বাটৰ এটা ষ্টেছনত। উঠিব নোৱাৰা ঘৰ নৰিয়া পৰা লৰা এটাক মাক-বাপেকে কোলাত লৈ, দুটা-তিনটা মানুহৰে সৈতে আমাৰ খোঁটালীত সোমালহি। লৰাটোক কলিকতাত চিকিৎসা কৰা-বলৈ লৈ গৈছিল। তেওঁলোক সোমায়েই খোঁটালী-টোৰ খিলীকি দুৱাৰবোৰ মাৰি দিলে,—নৰিয়াৰ গাত চেঁচা বতাহ লাগে বুলি। ফলত, যাত্ৰীৰে খুন্দ খোৱা খেঁাটালীটো চিৰাজদ্দৌলাৰ অন্ধকূপ যেন হ'ল। ভদ্ৰতা আৰু পৰহিতৰ অনুৰোধত আমি সেই জুলুম নীৰৱে সহিবলগীয়াত পৰিছিলো। *

দ্বিতীয় আধ্যা

একৈশ ছেপ্টেম্বৰ তাৰিখে শিয়লদহ ষ্টেছন এৰি বাইশ তাৰিখে গুৱাহাটী পালোঁগৈ। ব্ৰহ্মপুত্ৰ পাৰ হোৱা জাহাজখন পাণ্ডুঘাটৰ ওচৰ চাপিলতে আমাক লৈ যাবলৈ অহা মোৰ অতি প্ৰিয় দুজন মানুহৰ দুখন হাঁহিমুখ দেখি আমাৰো মুখত হাঁহি বিৰিঙিবলৈ ধৰিলে। সেই হাস্যবদন দুখনৰ গৰাকী "মাজিউ" আৰু "জ্ঞান"। তেওঁলোকে আগেয়েই আমি অহা খবৰ পাই আমাক লৈ যাবলৈ আহিছিল। "মাজিউ" আৰু "জ্ঞান" এই দুটা গুৱাহাটীৰ দুজন প্ৰখ্যাত লোকৰ নাম,—অৱশ্যে স্বকীয়াকৈ মোৰ নিমিত্তে। মই তেওঁলোকক সেই সেই নামেৰে মাতি সুখ পাওঁ দেখি তেওঁলোকৰ জনাজাত ডাঙৰ নামে তাত ব্যাঘাত নজন্মায়। মাজিউ নামটো সুকৰি সুবিখ্যাত চাহখেতিয়ক সদাগৰ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ডাঙৰীয়াৰ আৰু জ্ঞান নামটো আৰ্লল কলেজৰ প্ৰসিদ্ধ প্ৰিঞ্চিপাল উদাৰহৃদয় মিষ্টাৰ জে. ৰকল্লা বেৰিষ্টাৰ-এট্‌-লৰ। এই দুটি উজ্জ্বল তৰাই মোৰ নিমিত্তে গুৱাহাটীখন পোহৰাই ৰাখিছে। সেইদেখি গুৱাহাটীৰ ফালে মুখ কৰিলেই মোৰ মনত সুখৰ লহৰী উঠে। তেওঁলোকৰ ঘৰ মোৰ নিজৰ ঘৰ হৈ পৰে। তেওঁলোকৰ আদৰ, যত্ন আৰু মৰমে মোৰ জঁয় পৰা জীৱনটোত জীপ দি ঠন ধৰায়।

আৰু অনেক কাৰণত গুৱাহাটীক মোৰ ভাল লাগে। তাৰে গোটাদিয়েক হৈছে এই, (১) প্ৰাকৃ-তিক সৌন্দৰ্য্য (২) ঐতিহাসিক উৎকৰ্ষ (৩) প্ৰাচীন জ্ঞান-গৌৰৱৰ গৰিমা। অসমীয়াৰ জীৱন-বেদৰ পাত এইবোৰে প্ৰথমতে গুৱাহাটীতেই মুকলি কৰি দেখুৱায়। কালৰ পীড়ণত আজিৰ অসম জীৰ্ণশীৰ্ণ দীৰ্ণ। তথাপি গুৱাহাটীৰ বুকুত সেইবোৰ অবিলুপ্ত। অসমযাত্ৰী বিদেশীয়ে অসমীয়াৰ চকুৰাৰ বেৰ গুৱা-হাটীত নেদেখে বৰং যিমানকৈ চকু মেলে সিমানলৈ ৰবচুৰিয়াৰ ফেৰহে দেখিবলৈ পাব। ব্ৰহ্মপুত্ৰৰ

* (বাঁহী—১৭শ বছৰ ৫ম সংখ্যা, ১৮৫২ শক। অ-২৭)

বাজৰ উমানন্দ, পাৰৰ কামাখ্যা, অশ্বক্লান্ত আদি অলেখ অতুলনীয় প্ৰাকৃতিক সৌন্দৰ্য্যই সেই বিদেশীৰ চকুত জলক লগাব। তীৰ্থযাত্ৰীৰ প্ৰাণৰ তীৰ্থস্পৃহা গুৱাহাটীয়ে পলুৱাব। পৰিশ্ৰমী প্ৰত্নতাত্ত্বিকক প্ৰাচীন জ্ঞানৰ দুৱাৰ গুৱাহাটীয়ে মুকলি কৰি মনত বিস্ময় লগাই দিব। কৱিৰ হৃদয়ৰ কোমল কুসুমকলি গুৱাহাটীয়ে ফুলাই দি তেওঁৰ জীৱন আমোলমোল কৰি দিব আৰু পিছত সেই কৱিৰ ৰচনাই কাব্যৰসৰ মন্দাকিনী নমাই বোৱাই আনি কাব্যমোদীসকলৰ অন্তঃকৰণ সজীৱ সচেতন কৰি দিব। তত্ত্ব আৰু তথ্যানুসন্ধিৎসুৰ আগত ৰৰতঁৰালৰ ৰৰদুৱাৰ মেলি দি অক্ষয় ৰত্নৰাজি প্ৰকাশ কৰি দিব গুৱাহাটীয়ে। এনেকুৱা গুৱাহাটীয়ে যে অসমৰ আন সকলোবোৰ জিলাতকৈ এই লেখকৰ মনত বেছি প্ৰভাৱ বিস্তাৰ কৰিব, তাত আশ্চৰ্য্য কি ?

সম্বলপুৰতে মোৰ গাত ঘুঘুৱা জ্বৰে বাহ লৈছিল। ডাক্তৰৰ ঘাৰা তাৰ নামকৰণ হৈছিল 'মেলেৰিয়া'। সকলোৱে জানে যে এই লেখক বেজবৰুৱা ঘৰৰ লৰা। মই মোক ল'ৰা বোলাত আশা কৰোঁ পাঠকসকলে নাহাঁহিব। লৰা শব্দটোৰ মানে এইখিনিত কি, সেইটো কোৱাই বাহুল্য। লেখকৰ পিতৃদেৱতা ৰজাঘৰীয়া বেজ অ'ছিল। আয়ুৰ্ব্বেদ শাস্ত্ৰত যে তেওঁৰ জ্ঞান সুপৰিপক্ক আছিল, এই কথা আগৰ তৰপৰ অসমীয়াই জানে। তেওঁৰ মুখত মেলেৰিয়া জ্বৰ কথাটো মই কেতিয়াও শুনা নাছিলোঁ। মেলেৰিয়া কথাটো আয়ুৰ্ব্বেদৰ অবিদিত, ইংৰাজী সভ্যতা আৰু ডাক্তৰী শাস্ত্ৰৰ ঘাৰাই আনীত। এইকলীয়া চাবোন, চুৰট, চেলেউৰ দৰে যদিও সি বিদেশৰ আমদানি তথাপি সি আজিকালি আমাৰ ঘৰবে এটা হৈ পৰিছে ; সেই দেখি তাক অগ্ৰাহ্য কৰিবৰ উপায় নাই। দিনৌ আবেলিৰ পৰা মোৰ গাত অলপ অলপ জ্বৰ উঠি সেই জ্বৰ প্ৰায় আদখিনিমান ৰাতিলৈকে থাকিছিল। কিন্তু মই গুৱাহাটী পালতে, বৰ আনন্দৰ হেঁচাতে বোধকৰোঁ মেলেৰিয়া টেপা খাই পলৰীয়া হ'ল ; যদিও সি তাৰ নগৰীয়া কৰ্পটিক মোৰ গাত চৰিবলৈ এৰি থৈ যাবলৈ পাহৰা নাছিল। কটন কলেজৰ মোৰ ছাত্ৰ-বন্ধুসকলে সেই দিনাই গধূলি সভা পাতি মোক অভিনন্দন দি সন্মানিত কৰিলে। সভালৈ যাওঁতে মোৰ গাত জ্বৰ নাছিল যদিও তাৰ বাবে মোৰ গাত বন্ধ খাই থকা ডাঠ কৰপাৰ অভাৱ নাছিল। কিন্তু আগ্ৰহ, সমাদৰ আৰু অনুৰোধ অমান্য কৰিবৰ শকতি ঈশ্বৰে মোক দিয়া নাই ; গতিকে "যথা নিযুক্তোঽস্মি তথা কৰোমি।" সভালৈ গৈ দেখিলোঁ, মোৰ ছাত্ৰ-বন্ধুসকলৰ কি উৎসাহ! কি আনন্দ! মই সমাজিকতো ভৱা নাছিলোঁ যে তেওঁলোকৰ হৃদয়ৰ এছোৱা এই অকামিলা এলাবাদু লেখকক কেনেবাকৈ এইদৰে অধিকাৰ কৰি থৈছিল! একো একোটি ডেকা লৰাৰ গঢ়িত প্ৰফুল্ল মুখ দেখি সঁচাকৈয়ে মই উৎফুল্ল হৈ, মোৰ বৃদ্ধত্ব জৰত্ব পৰিহাৰ কৰি তেওঁলোকৰ লগতে ডেকা হৈ পৰিছিলো। তেওঁলোকৰ একোজনে গুৰুনাকৈ ইংৰাজী আৰু অসমীয়া ভাষাত বক্তৃতা দিছিল। জনচেৰেকে সুললিত কণ্ঠেৰে সঙ্গীত গাইছিল আৰু জনচেৰেকে ওজাপালী হৈ সুন্দৰ অঙ্গভঙ্গীৰে হাস্যৰসপূৰ্ণ বিয়াহ গাই আমাক নথৈ আনন্দ দিছিল আৰু লগে লগে নুমাওঁ নুমাওঁ হোৱা মোৰ সৰুকালৰ আনন্দ ৰসৰ বন্তিগছত তেল দি তাৰ শলাকানি বঢ়াই দিছিল। নিশ্চয় গুৱাহাটীত কলেজ আৰু শিক্ষাৰ কেন্দ্ৰ হোৱাৰ নিমিত্তে যে এনে সুফল ফলিছে, তাক নকলেও হব। মোৰ মনত বৰ ৰং লাগিছে যে তাহানি গুৱাহাটীত কলেজ হোৱা উচিত নে কলিকতাত চৰ্কাৰী বৃত্তিৰ সংখ্যা বঢ়াই দি বেছি সংখ্যক অসমীয়া ছাত্ৰক পঢ়িবলৈ দিয়া উচিত, এই আন্দোলনত এই লেখকে গুৱাহাটীত কলেজ হোৱাৰ সপক্ষে যথাসাধ্য চেষ্টা কৰিছিল।

২৩ তাৰিখে গুৱাহাটী এৰি ডিব্ৰুকমুৱা হৈ ২৪ তাৰিখে পুৱা ন মান বজাত ডিব্ৰুগড় পালেঁাগৈ। ষ্টেছনত অনেক চিনা-জনা মানুহেৰে সৈতে সাক্ষাৎ হল আৰু তাৰ ভিতৰত মোৰ মাজুজনী ছোৱালী আৰু মাজু জোঁৱাইক আৰু মোৰ সৰু ভাইক দেখি মনত বৰ আনন্দ মিলিল। মই আগৰটো প্ৰবন্ধত নাজহুৱা ডাকতকৈও টেকেলাৰ ডাকৰ প্ৰবল প্ৰভাৱৰ কথা কৈছিলোঁ, কিন্তু সেইটোনো কোন টেকেলা, কাৰ টেকেলা, কেনে টেকেলা, তাৰ জাঁতিগুৰিৰ বিষয়ে নকৈ কথাৰ তাঁতখনত খৰকৈ মাকো চলাই গ'লোঁ। কাৰণটো আন একো নহয়, মাথোন এই ভাবি যে সি যথাস্থানত প্ৰকাশ পাব। এতিয়া কওঁ যে সেই প্ৰবল পৰাক্ৰমী টেকেলাটো হৈছে,—মোক ডিব্ৰুলৈ নিবলৈ মোৰ মাজু জী-জোঁৱাইৰ আহ্বানৰ আগ্ৰহাতিশয্য। বোধকৰো অনেকে জানে যে মোৰ মাজু ছোৱালীজনীক ডিব্ৰুগড়ৰ সম্ভ্ৰান্ত পৰিয়াল এঘৰৰ সুশিক্ষিত ডেকা এজনলৈ বিয়া দিছোঁ। প্ৰায় দুবছৰ হব লগা হল, মোক মোৰ জী-জোঁৱায়ে ডিব্ৰুলৈ মাতি আছিল, কিন্তু মই নানা লেঠাত পৰি আজি যাম, কালি যামকৈ যাব পৰা নাছিলোঁ। এইবাৰ সেইদেখি তেওঁলোকৰ তাবেদাৰ ৰোহ, ঠেহ, অভিমান—এই তিনিউ আদালতৰ টেকেলা মোৰ আগত হাজিৰ হলহি। কাজেই এইবাৰ উপায় গৈ নিৰুপায়ৰ পদুলিমুৰ পালেগৈ। তাহানি হেনো এদিন পাৰ্ব্বতীয়ে মহাদেউক ধিক্কাৰ দি কৈছিল, যে মহাদেৱে ভাং, ধতুৰা খাই বহি থাকে, গৃহস্থৰ কাম-কাজ একো নকৰে। আনকি ঘৰতে বৃষভটো

আছে, সি ঘাঁহ-পানা খাই নোদোকাটো হৈ পৰিছে, তাৰেই হাল বাই খেতিবাতি কৰি এগাল ধানকে নাৰ্জে। যৈণীয়েকৰ এনে কদৰ্থনা শুনি মহাদেৱৰ মনত বৰ বেজাৰ লাগিল। তেওঁ তেতিয়াই খেতি কৰিবলৈ যাবলৈ দৃঢ় সঙ্কল্প কৰি বৃষভটোৰ ওপৰত উঠি টুক্ টুক্ কৰে গৈ খেতি কৰিবলৈ লাগি গ'ল। তেখেত হ'ল দেৱাদিদেৱ মহাদেৱ ; তেখেতে খেতিত ধৰিলে আৰু বাইখ কি ? খেতি কৰি উভৈনদী কৰি পেলালে। তেওঁৰ খোৱা-শোৱা গুচিল। আনকি ঘৰলৈ আহিবলৈকো তেওঁ পাহৰিলে। পাৰ্ব্বতীয়ে দেখিলে যে মহা মঙ্গিলখন হ'ল। গিৰিয়েক আকৰা মৈত উঠিল আৰু মৈৰ পৰা নমাই হ'ল। গিৰি-য়েকক মাতি আনিবলৈ পাৰ্ব্বতীয়ে নন্দী ভৃঙ্গীকে আদি কৰি জোৰে-জোৰে মানুহ পঠিয়ায় হে পঠিয়ায়, গিৰিয়েক নাহে। একোকে উপায় নাপাই পাৰ্ব্বতীয়ে নাৰদক ৰিপুৱা ধৰিলে। নাৰদে উভতি আহি কলে, যে মহাদেৱে কাৰো কথা নুশুনে, কোনো তেওঁৰ ওচৰকে চাপিব নোৱাৰে। অন্তত অনেক ভাবি-চিন্তি পাৰ্ব্বতীয়ে অসংখ্য ডাঁহ, মহ, চেৰেপা চঞ্জন কৰি মহাদেউক আমনি কৰিবলৈ পঠিয়াই দিলে। তাৰ পিছতো হেনো হাহা হুহু নামৰ মানসপুত্ৰ দুটা চৰ্জি পঠিয়াইছিল। হাহা হুহুৱে কি কৰিলে গৈ আমাক নালাগে, কাৰণ আমাৰ আখ্যানৰ নিমিত্তে মহ, ডাঁহ, চেৰেপাই যথেষ্ট। আমাৰ আখ্যানত অৱশ্যে মহ, ডাঁহ, চেৰেপা সৃষ্টিকাৰিণী পাৰ্ব্বতা-স্বৰূপিনী আমাৰ ঘৰৰ যৈণী নহয় ; সেইজনা আমাৰ আদৰৰ দুহিতাহে। যি হওক, হাহা হুহুৱে মই বাটকে নাচালোঁ, কাৰণ সিহঁতৰ অগ্ৰজ ডাঁহ, মহ, চেৰেপাই মোৰ পক্ষে যথেষ্ট হৈ পৰিছিল। লৰুৱাই ডিবুৰুগড়ত পেলাই দিলেগৈ। *

তৃতীয় আধ্যা

আমি ডিব্ৰুগড় পোৱাৰ দিনাই, ৰাতিৰে পৰা তাত ৰবষুণৰ ওৰা পাতিলে। ৰবষুণ চেলেংপটেং বিধৰ নহয় ; ভালকৈয়ে গা সৰকি যোৱা। সেই লেলপেল্ ৰবষুণ পোন্ধৰ দিনমানলৈকে চলি সি আমাৰ তেজ-মঙহ হাড়-মগজু গোপাকে সেঙেটা লগাই পেলাইছিল। ৰবষুণৰ দৌৰাত্ম্যত আমি কলৈকো হৃষ্টচিত্তেৰে ফুৰিবলৈ ওলাই যাব নোৱাৰিছিলোঁ। ফলত আমি ৰাজনৈতিক বন্দীৰ দৰে একে ঠাইতে বন্দী হৈ ৰলোঁহক, - অৱশ্যে আজিকালি চৰ্কাৰ বাহাদুৰে শ্ৰেণীবিভাগ কৰাৰ দৰে এ-শ্ৰেণীৰ বা বি-শ্ৰেণীৰ বন্দী নহয়, ৰাজবন্দীহে। কাৰণ চাৰি বেৰৰ ভিতৰতে আমাৰ আহৰবিহাৰ আৰু নিদ্ৰাসুখ নিৰ্ব্বিঘ্নে সম্পাদিত হৈছিল, এই নিমিত্তে যে সেইবোৰ বিষয়ৰ জইণ্ট-চুপাৰিণ্টেণ্ডেণ্ট অৰ্থাৎ যুটীয়া তত্ত্বাৱধায়ক আছিল আমাৰ স্ত্ৰী-জোঁৱাই। বেটীয়ে বাচনীৰ ওপৰত খং সৰাদি, দিনৌ আমাৰ মূৰৰ ওপৰত পানী বৰষা মেঘৰ ওপৰত আমি শাও বৰষি আমাৰ খং সাৰিছিলো। কাইলৈ অ'ত ফুৰিবলৈ যাম, পৰশুইলৈ ত'ত চিকাৰ কৰিবলৈ যাম, তাৰ পিছ দিনা নাৱত উঠি গৈ ব্ৰহ্ম-পুত্ৰৰ বালিত বালিভাত খাম ইত্যাদি কথাৰ সাতহাল ৰাতি মাৰি থাকি কটাইছিলোঁ ; কিন্তু পুৱা ৰবষুণে বিধিপথা ন কৰি আমাক এহালো মাৰিবলৈ নিদিছিল। স্বৰ্গৰ খবৰ অৱশ্যে নাজানো। শুনিছোঁ তাত হেনো এজন ৰজা আছে, তেওঁৰ নাম ইন্দ্ৰ। তেওঁ থকা পুৰীখনো হেনো সুন্দৰ আৰু তাৰ নাম অমৰাৱতী। ৰজা থাকিলেই ৰাজসভা থকাতো দস্তুৰ। পাত্ৰ, মন্ত্ৰী সভাসদ আৰু টেকেলা-বেঙেনা এইবোৰো তেওঁৰ থাকিবলগীয়া কথা। আৰু শুনিছো স্বৰ্গৰ ৰজাই স্বৰ্গতো ৰাজত্ব কৰে আৰু পৃথিৱীৰ নৰমনিচবোৰৰ ওপৰতো তেনেকুৱা কিবা এটাকে কৰে। তোমাৰ মন গলে তাক ৰাজত্বও বুলিব পাৰা, Rule বা শাসনো বুলিব পাৰা। শাসিত নৰ-মনিচে সদায় ইবাৰ এইটো সিবাৰ সেইটো আমাক দিয়া বুলি ৰাজাধিৰাজ ইন্দ্ৰক আমনি কৰি থকাটোও জানো। বোধকৰোঁ নৰমনিচৰ বৰ আমনিত তৎ নেপাই ৰাজাধিৰাজে এইবাৰ তেওঁৰ সভাসদবোৰ গোটাই বৰ ডাঙৰকৈ মেল এখন পাতিছিল। তাত আলোচ্য বিষয় আছিল, পৃথিৱীৰ নৰ-মনিচক তেওঁলোকে কি দিব পাৰিব, কি দিব নোৱাৰিব, কি দিয়াটো উচিত আৰু কি দিয়াটো অনুচিত। অথবা দিব লগীয়াটোও কি উপায়েৰে নিদিয়া হব পাৰে। কোনে জানে কিজানি এই বাৰ সাতোখন স্বৰ্গৰ পৰা প্ৰতিনিধি নমাৰ মেলুৱৈসকলক মাতি আমি মেলখন ডাঙৰকৈয়ে পাতিছিল। শুনিছো সুৰপুৰীৰ সুৰেশ্বৰসকলৰ পেটত সুৰা আৰু সৰু-সুৰা নোহোৱা গুৰুভোজন নপৰিলে, তেওঁলোকৰ ভাবনা চিন্তাবোৰত খেলিমেলি লাগি পৰে, মুখ ভালকৈ মেল নাখায় আৰু মেল খালেও জিভা ভালকৈ দোৰোল নাখায়। আমাৰ ভাতৰ পাতত কথা নিষিদ্ধ ; কিন্তু তেওঁলোকৰ ভাতৰ পাততহে ৰবমঙহৰ বৰমেলখন সিদ্ধ হয়। সেইদেখি ইন্দ্ৰ মহা-

* বাঁহী—১৯শ বছৰ, ৬ষ্ঠ সংখ্যা, ১৮৫২ শক। অ-২২

বাজে, আমি ডিব্ৰুগড় পোৱা সময়তে সুবপুৰীৰ মেনুৰেসকলৰ নিমিত্তে বৰভোজৰ আয়োজন কৰিছিল যেন পাওঁ। আমাৰ ডিব্ৰু গমন আৰু ইন্দ্ৰৰ ভোজৰ আয়োজন এই দুটা একে সময়তে পৰাটো কাকতালী সংযোগ বুলিয়েই ধৰিব পাৰি। স্বৰ্গ খনৰ আয়তন কিমান, ক'ব নোৱাৰোঁ। আৰু সেই বৰভোজৰ কোন বস্তু ক'ত থৈছিল, তাকো কব নোৱাৰোঁ। আমি তাহানি কলিকতাত থাকোঁতে দেখিছিলো, ডাঙৰ বিয়াসবাহত নিমন্ত্ৰিতসকলক খুৱাইবুৱাই সুকলমে কাৰ্য্য সমাধা কৰিবৰ নিমিত্তে কৰ্মকৰ্তাই আহলবহল ডাঙৰ ঘৰ ভেৰোণীয়াকৈ লৈ ডাঙৰ ডাঙৰ পাতি সভা কৰে। ডিব্ৰুগড়ত বৰুণৰ কোম দেখি অকস্মাতে মোৰ মনত খেলাইছিল যে ইন্দ্ৰদেৱতাৰে তেওঁৰ ভোজত ব্যৱহাৰ্য্য পানাৰ বৰকলহটো ডিব্ৰুগড়ত পাতিছিল। ইন্দ্ৰৰ কেইকুৰি পানীজৰী আছে, সংবাদ নাজানো। কিন্তু কাৰ্য্য দেখি কুৰিৰ কথাই নাই, লাখচেৰেকৰ ওপৰেহে থকা যেন লাগে। যদি এই অনুমান সঁচা তেন্তে কি কম, কি শুনিবা!—ঔৰিপকম্বাৰ নানি যেন হৈ সেই ভাৰীবোৰে ভাৰে ভাৰে অবিৰাম পানী আনি সেই ডিব্ৰুগড়ত বহৰা জকাত ঢালিছিল। অৱশ্যে এইবোৰ অনুমানৰহে কথা। এনে শাৰীৰ কথাৰ সঁচামিছা কোনো বাপৰ পোৱে প্ৰমাণ কৰিব নোৱাৰে।

মই ডিব্ৰুত দুদিন থকাৰ পিছতে গুৱাহাটীত টেঁপা খাই থকা আৰু এৰি অহা জৰ আকৌ মোৰ গাত লম্ভিল। সি তাৰ কৰ্পটিক মোৰ গাত চৰিবলৈ এৰি থৈ গৈছিল বুলি মই আগৰ প্ৰবন্ধত কৈ আহিছোঁ। কোনে জানে—হয়তো, পাপিষ্ঠ কৰ্পটিয়ে মোৰ গাত চৰি সুবিধা দেখি গুৱাহাটীতে এৰি থৈ অহা সেই তাৰ জৰ বন্ধুক বিজুলী বাতৰি দি মাতি আনিলে? ছিবা-গৱনৰ দিনবাৰ চোৱাৰ দস্তৰ এই জৰৰ নাই। তাক ঔচ বুলিলেই হ'ল আৰু সি নৰি আহি গা জুৰি বহেহি। জী-জোঁৱায়ে আমাক তেওঁলোকৰ মাজত পাই আনন্দৰ প্ৰেৰণাত দিনৌ আমালৈ হাঁহ মাৰি ভাত খুৱাবৰ আয়োজন কৰিছিল। সঙ্গীসকলে তাৰ সদ্ব্যৱহাৰ কৰে, কিন্তু মই বেচেৰাই কোনো দিনা এটেঁপা-আদুটেঁপা খাওঁ, কোনো দিনা ভাতৰ পাতৰ আগত বহি টোপালি খাওঁ, সেপ ঢোকোঁ আৰু তৎপশ্চাৎ উঠি গৈ শয়ন কৰোঁ। বন্ধু-বান্ধৱ, মিতিৰ-কুটুম্বৰ পৰাও সততে ভোজনৰ সাগ্ৰহ নিমন্ত্ৰণ পাওঁ, কিন্তু মোৰ খাবাই নিমন্ত্ৰণ ৰক্ষণহে হয়, ভক্ষণ নহয়, কাৰণ মই যে অক্ষম অৰ্থাৎ Hors do combat খেবোগেবোকৈ কোনো দিনা তেনে নিমন্ত্ৰণলৈ যাওঁ, কোনো দিনা নাযাওঁ আৰু গলেও আহাৰৰ আয়োজনৰূপী নৈৰ পাৰতে বহি তাৰ কেনকোভোকাৰ চাই থাকোঁ; নহলে কেতিয়াবা তাৰে দুচলু-এচলু পানী পান কৰোঁ। নাইবা পিৰত লওঁ আৰু মোৰ আগতে সেই ওকোণা লৈয়ে মোৰ Patronage অৰ্থাৎ অনুগ্ৰহ নিগ্ৰহ লৈ Care নকৰি অৰ্থাৎ অপেক্ষা নাৰাখি বেগেৰে দুইপাৰ ছাদি বৈ গৈ থাকে। এনেকুৱা অৱস্থা হৈছিল মোৰ।

দুৰ্গাপূজাৰ দিনচেৰেকৰ আগতে আমি ডিব্ৰু পাইছিলো। ডিব্ৰুগৰীয়া ৰাইজৰ উছাহ-আনন্দৰ কল্লোলৰ মাজত থিয়েটৰ গান-বাজনা ইত্যাদিৰে পূজা মহাসমাৰোহেৰে সম্পাদিত হৈ গ'ল। নৰিয়া গাৰেই দুদিন এদিন মই তেওঁলোকৰ আনন্দৰ ভাগ লৈছিলোঁ, কিন্তু গাত নৰিয়াৰ বাজে গজালি মেলি মোক বিকল কৰি পেলাইছিল। চৌদিশে উৰি ফুৰা আনন্দৰ ফুটুকা পখিলাবোৰৰ লগতে নিৰানন্দৰ মহ কেইটাই মোৰ গাত গুং ফুটাই কোনকোনাই ফুৰিছিল। যি হওক হৰ্ষ-বিষাদৰ সানমিহলিতে মোৰ ডিব্ৰুগৰীয়া দিন কেইটা এক প্ৰকাৰে কাটি গ'ল।

ভালেমান বছৰৰ মূৰত মই অসমলৈ গৈছিলোঁ। সেইদেখিয়েই বোধকৰোঁ মোৰ স্বদেশী বন্ধু-বান্ধৱৰ মোলৈ আগ্ৰহ অশেষ হৈছিল। তেওঁলোকে সভা সমিতি পাতি মোক নৰিয়া পাটীৰপৰা টানি নি সেইবোৰত থিয় কৰি দিছিল। ময়ো মৰমৰ অত্যাচাৰ অতি হৃষ্টচিত্তেৰে সহ্য কৰিছিলো। বন্ধুবৰ শ্ৰীযুত প্ৰভাতচন্দ্ৰ দাস ডাক্তৰে প্ৰায় দিনৌ আহি মোক অতি যতন কৰি চিকিৎসা কৰিছিল আৰু তেওঁৰ যত্নতে মই লাহে লাহে গা-তঙাই উঠিলোঁ। মোৰ কৃতজ্ঞতাৰ আঁজলিৰ বাহিৰে এই উঠি অহা মনোভিৰাম ডাক্তৰ বন্ধুজনলৈ আৰু একো নাই।

ডিব্ৰুগড়ত গোটাচেৰেক কথাই মোক বৰ সন্তোষ দিছিল। তাৰে দুটা এটাৰ বিষয়ে কওঁ। প্ৰথমতে মই আনন্দ-বিমিশ্ৰিত আচৰিত হৈ পৰিছিলো ডিব্ৰুগড়ৰ অসমীয়া তিৰুতাসকলৰ গচ্‌গতি আৰু কাৰ্য্যকলাপ দেখি। তেওঁলোক মই তাহানি এৰি থৈ অহা অসমৰ, মহৰ দয়াত আৰু চেঁচুকৰ ছাঁত বঢ়া চুকৰ বোৱাৰীৰ শাৰীত আৰু নাই। শিক্ষা, দীক্ষা আৰু ৰাজহুৱা কাৰ্য্যাদিত তেওঁলোক অগ্ৰণী। সকলো সজ কাৰ্য্যত পুৰুষৰ সমকক্ষ হ'বলৈ তেওঁলোকৰ আগ্ৰহ প্ৰদীপ্ত। ৰক্ষণশীল সমাজে তেওঁলোকৰ ভৰিত পিন্ধোৱা শিকলি—স্নেহেলৈ সেই সোণৰে হওক বা লোৰে হওক তেওঁলোকৰ ভিতৰৰ অনেকে ছিঙিছে আৰু বাকী সকলেও ছিঙিবলৈ যত্ন কৰিছে। দেশৰ সেৱাত তেওঁলোকে পুৰুষৰ শাৰীত ঠাই লৈছেহি আৰু অনেক বিষয়ত শামুকখুজীয়া পুৰুষতকৈও আগবাঢ়িছে বুলি ক'লে বঢ়াই কোৱা নহয়। ডিব্ৰুগড়ত সভা-সমিতি পতাত তেওঁলোকেই আগৰণুৱা হৈ পৰিছে আৰু ৰক্ষণশীল শাৰীৰ পুৰুষ চুকত ভেকুৰিছে। মাজতে বিয়োৰ অৱস্থাত পৰি অসমীয়া তিৰুত

শিপিনীসকলে তেওঁলোকৰ অঙ্গৰ ভূষণ বোৱাকটা পৰিহাৰ কৰিছিল। ডিবুৰুগড়ীয়া নতুন তৰপৰ মহিলাসকলে তাক আকৌ সাদৰেৰে হাতত তুলি লৈছে। তেওঁলোকৰ বিনন্দীয়া মুখ মলিয়ন কৰোঁতা কাণ্ডজ্ঞানহীন পৰ্দাক তেওঁলোকে পৰিহাৰ কৰিছে। আৰু বাহিৰলৈ গ'লে ওৰণীৰ সৰ্ব্বগ্ৰাসী গ্ৰহণৰ পৰা বিমুক্ত হৈ মনোজ্ঞ আংশিক গ্ৰাস গ্ৰহণ বৰণ কৰিছে। নিশুক সমালোচকৰ সস্তা সমালোচনাবোৰ, সমালোচকৰ আজিকালি অব্যৱহাৰ্য্য দ'তৰ জোলোঙাত সুমাই থবলৈ তেওঁলোকে তেওঁলোকৰ মনৰ বলেৰে পৰোক্ষভাৱে সমালোচকক অনুজ্ঞা কৰিছে। সভা সমিতিত তেওঁলোকে পুৰুষৰ আগত ওলাই একে শাৰীতে বা সমুখতে বহি প্ৰজা সাধাৰণৰ মঙ্গলামঙ্গলৰ বিষয়ত স্বাধীন মতামত প্ৰকাশ কৰিছে,— অথচ তেওঁলোকৰ স্ত্ৰীসুলভ গাম্ভীৰ্য্য আৰু কমনিয়তাৰ এচুলিমানকো হ্ৰাস হ'বলৈ তেওঁলোকে দিয়া নাই। দুজনা এজনাই সভাত উঠি এনে সুন্দৰকৈ বক্তৃতা কৰিছে যে অনেক নামজ্বলা বক্তা পুৰুষকো তেওঁলোকে সেই বিষয়ত চেৰ পেলাইছে। ৰামমোহন ৰায়ৰ স্মৃতিসভাত মোক সভাপতিৰ আসন দিয়া হৈছিল। তাত কল্যাণীয়া শ্ৰীমতী যোগদা দেৱীয়ে যিটি বক্তৃতা অনৰ্গলভাৱে দিলে, মই শুনি সঁচাকৈয়ে পুলকিত হৈ পৰিছিলোঁ আৰু মোৰ দেশৰ এজনা সম্ভ্ৰান্ত মহিলাৰ সেই বিষয়ত নৈপুণ্য দেখি নিজকে গৌৰৱান্বিত বিবেচনা কৰিছিলো। মই ডিবুৰু পোৱাৰ দ্বিতীয় কি তৃতীয় দিনা অৰত শোৱাপাটীত পৰি কেঁকাই আছোঁ, এনেতে বালিকা স্কুলৰ প্ৰধান-শিক্ষয়িত্ৰী আয়ুস্মতী শ্ৰীমতী গৌৰীপ্ৰভা চলিহাই লগত একুৰিমান ছোৱালী ছাত্ৰী আৰু তেওঁৰ সহযোগী শিক্ষয়িত্ৰী জনচেৰেকক লৈ মোৰ আগত ওলালগৈ। তেওঁলোকৰ মোৰ প্ৰতি কি দয়া আৰু কি আগ্ৰহ! তেওঁলোকৰ মুখত অনাৱশ্যকীয় সংকোচ নাই, খোতামোজা নাই; তেওঁলোকে তেওঁলোকৰে দেশৰ এই চিৰপ্ৰস্বৰাক সাক্ষাৎ কৰি সমাদৰ কৰি সন্মানিত কৰিবলৈ আহিছে আৰু পাৰিলে তেওঁক তেওঁলোকৰ স্কুললৈ আদৰি লৈ গৈ তেওঁৰ মুখৰ পৰা দুষাৰ-চাৰিষাৰ কথা শুনিবলৈ ইচ্ছা কৰিছে। কি সুখকৰ দৃশ্য। কি সুন্দৰ ব্যৱহাৰ! শ্ৰীমতী গৌৰীপ্ৰভা আইদেওক অৱশ্যে তেওঁ কলিকতাত কলেজত পঢ়াৰে পৰা মই জানো, আৰু মোৰ নিজৰ জীৱ নিচিনাকৈ তেওঁক স্নেহ কৰোঁ। গৌৰী চন্দ্ৰমাক মাজত লৈ তেওঁৰ সহযোগী নক্ষত্ৰৰূপিনী শিক্ষয়িত্ৰী আৰু ছাত্ৰীসকল বেড়িয়া মোৰ আগত উপস্থিত হ'লহি, জৰত চেপেটা লাগি থকা মই জৰৰ অত্যাচাৰলৈ ক্ষন্তেকৰ নিমিত্তে পাহৰি বিমল আনন্দ অনুভৱ কৰিছিলোঁ। ইয়াৰ কিছু দিনৰ পিচত তেওঁলোকৰ স্কুললৈ মই গৈ স্কুল চাই আৰু তেওঁলোকৰ কাৰ্য্য দেখি অতি সন্তোষ পাইছিলো। স্কুলত তেওঁলোকে বাছকবনীয়া কপৰ বঁটা এটিত যি কাকত এডুখৰি মোক দিছিল, সেই বঁটাটি আৰু কাকতডুখৰিয়ে সদায় মোক সন্তোষ দি থাকিব। ডিবুৰুগড়ৰ সম্ভ্ৰান্ত মহিলাসকলৰ সভাতো এই লেখকক যিখন অভিনন্দন পত্ৰ মুগাৰ কাপোৰৰ [illegible] ছপাই দিছিল, সেইখনো নিশ্চয় এই লেখকৰ পক্ষে অতি আদৰৰ সম্বল হৈ সদায় তেওঁৰ হাতত থাকিব।

ডিবুৰুগড়ৰ থিয়েটাৰ অৰ্থাৎ ৰঙ্গশালৰ বিষয়ে একেষাৰ কওঁ। ডেকাসকলৰ উদ্যমৰ ফলত ৰঙ্গশালটি সুদৰ্শন হৈ পৰি সি ডিবুৰুগড়ৰ সমৃদ্ধি বৃদ্ধি কৰিছে। সভা-সমিতি, থিয়েটাৰ, যাত্ৰা, গান, ভাৱনা প্ৰভৃতি এই ঘৰতে হয়। থিয়েটাৰৰ চিত্ৰপটবোৰ অসমীয়া চিত্ৰবিদ্ ডেকাসকলৰ দ্বাৰাই অঁকা হৈছে আৰু সেইবোৰ কলিকতাৰ ব্যৱসায়ী নিপুণ চিত্ৰবিদৰ চিত্ৰতকৈ কোনোগুণে হীন নহয়। নাট্যকলাত ডিবুৰুগড়ৰ সম্ভ্ৰান্ত ঘৰৰ ডেকাসকলে আশাতীত ভাৱে উন্নতি লাভ কৰিছে দেখি মোৰ মনত হৰ্ষ উপজিছিল। পেইণ্টিং আৰু ফটোগ্ৰাফীত স্নেহাস্পদ মুক্তানাথ বৰদলৈৰ কৃতিত্ব লেখত লবলগীয়া। থিয়েটাৰৰ ভালেমান দৃশ্যপট তেওঁৰ হাতৰ। তেওঁৰ ষ্টুডিওলৈকো আমি গৈছিলোঁ। তাত তেওঁৰ হাতৰ চিত্ৰবোৰ দেখি বৰ সন্তোষ পালোঁ। তেওঁ যদি সেই ষ্টুডিও অৰ্থাৎ চিত্ৰশাল আনি কলিকতাত পাতি বহে, তেন্তে তেওঁক সেই কাৰ্য্যত চেৰ পেলোৱা লোকৰ লেখ সৰহ নহব। ডেকাসকলে পূজাৰ সময়ত কেইবাখনো নাটৰ অভিনয় কৰিছিল। অৱশ্যে এটাইবোৰ দেখা মোৰ কপালত নঘটিল। কিন্তু যিকেইটা দেখিলোঁ, তাতে মোৰ অশেষ সন্তোষ লভিছিল। সাজসজ্জা, চিত্ৰপট, ভাৱপূৰ্ণ অভিনয়, সুস্বৰ সঙ্গীত আৰু মনোজ্ঞ নৃত্যত তেওঁলোকৰ বৈশিষ্ট্য দেখা গৈছিল। কালত তেওঁলোকে যে আৰু উন্নতি কৰিব তাত সংশয় নাই। চিত্ৰকলাবিদ শ্ৰীযুত মুক্তানাথ বৰদলৈৰ কৃতিত্ব "কমিক একৃটিঙতো" অৰ্থাৎ হাস্যৰসৰ ভাৱতো পৰিস্ফুট। ডাক্তৰ শ্ৰীযুত প্ৰভাতচন্দ্ৰ দাস আৰু আৰু জনদিয়েকৰ অভিনয় কলিকতাৰ থিয়েটাৰৰ বিখ্যাত অভিনেতা সকলতকৈয়ো কোনো গুণে কম হয়। মাথোন এটি কথা ডিবুৰুগৰীয়া ডেকা বন্ধুসকলক জনাই থওঁ,—যেন তেওঁলোকৰ যত্নত মৌলিক অসমীয়া নাটৰ অভিনয় সৰহ হয়। অৱশ্যে তেনে নাটকৰ যে আটক, সেইটো জানো। যি হওক, ভৱিষ্যতলৈ সেই আটক গুচিব বুলি আশা কৰিলোঁ। বিদেশী নাটক অসমীয়ালৈ ভাঙি অসমীয়া ৰঙ্গশালত অভিনয় কৰাটোত অনেকে দায় ধৰে। ময়ো তেনে কাৰ্য্যত বৰ সন্তোষ পাওঁ, এনে নহয়। কিন্তু বিদেশী ভাষাৰ নাটক একেবাৰেই আমাৰ

ৰঙ্গশালৰ বাহিৰ কৰি দিযাটোৰো মই বিৰোধী। অৱশ্যে যদি তাৰ অনুবাদ প্ৰকৃত অসমীয়াৰ অনুবাদ হৈ অসমীয়াৰ পেটত সি জীণ যোৱা হয়। ভাল বিদেশী নাটকৰ উৎকৃষ্ট ভাবসম্পদেৰে অসমীয়া সাহিত্যৰ সৌন্দৰ্য্য বঢ়োৱাটো অতি শোভন কথা, —যদি সেই ভাবসম্পদক বাৰেৰঙলুৱা অসমীয়া নকৰি আচল অসমীয়া কৰি দিয়া যায়। ভাৰতৰ নানা দেশৰ পৰা মানুহ আহি অসমত বসতি কৰিছে। যদি সেইবোৰে অসমক সৰ্ব্বতোভাৱে বৰণ কৰি অসমীয়া হৈ যায় তাৰ দ্বাৰাই অসমৰ আপদ নাবাঢ়ি সম্পদ হে বাঢ়িব। এনে গঢ়েৰেই পুৰণি কালৰে পৰা অসম পৰিপুষ্ট হৈ আহিছেও। কিন্তু অসমীয়াৰ ৰবসবাহত যদি কোনোবাই অসমীয়াৰ দৰে চাপৰি বজাই বা তাল লৈ নাম নাগাই খোল কৰতাল লৈ—

> "দয়াল দয়াল, দয়াল বলে ডাকৰে ৰসনা।
> যাৰে ডাকলে হৃদয শীতল হবে যাবে যম যন্ত্ৰণা ॥"

এনে ৰঙলুৱা সংকীৰ্ত্তন মেলি দিয়ে, তেন্তে সি অসমীয়াৰ ৰবসবাহত হাঁহৰ মাজত কাউৰী হৈ পৰি খেলিমেলিহে লগাব, শোভা নবঢ়াব। Hybrid অৰ্থাৎ এধাকেচেলুৱা গান গিহঁনি আহাৰে পেট গোমাই তাত বিপৰ্য্যয়হে সৃষ্টি কৰিব, শান্তি সৃষ্টি নকৰে। এই কথা মনত ৰাখি আমাৰ নাটকাৰ-সকলে বিদেশী নাটৰ অসমীয়া ভাঙনি কৰিবলৈ গ'লে মঙ্গল, নতুবা অমঙ্গল। তাহানি কলিকতা-নিবাসী জনচেৰেক অসমীয়া ছাত্ৰৰে দল লাগি ছেক্সপিয়েৰৰ Comedy of Errors অসমীয়ালৈ ভাঙি তাৰ নাম ভ্ৰমৰঙ্গ দি অভিনয় কৰিছিল। অনুবাদকৰ লেখত যদিও এই লেখক পৰা নাছিল,- তথাপি তেওঁৰ হাত যে সেই অনুবাদৰ ওপৰত নুফুৰি ছিল এনে নহয়। মোৰ বিশ্বাস, ইংৰাজী নাটৰ সেই অনুবাদ একেবাৰেই অসমীয়া হৈ পৰি অসমীয়া সৰ্ব্বসাধাৰণৰ মন হৰণ কৰিব পৰা হৈছিল। এতিয়াও নতুনকৈ উঠি অহা ডেকাসকলে তেনে গঢ়েৰে বিদেশী নাট অসমীয়ালৈ ভাঙি তাক অসমীয়া সাজপাৰ পিন্ধাই অসমীয়া ৰঙ্গশালত তুলি দিলে, আমাৰ আঁসোৱাহ ধৰিবলৈ একো নাথাকিব। *

চতুৰ্থ অধ্যায়

অক্টোবৰ মাহৰ ১৫ তাৰিখে ডিব্ৰুগড় এৰি শিৱ-সাগৰলৈ যাবলৈ ওলালোঁ। বাহন মটৰগাড়ী। ৰথখন আমাৰ জোঁৱাই শ্ৰীমান ৰোহিণীকুমাৰ বৰুৱা বোপাৰ আৰু সাৰথিও তেৱেঁই। যাত্ৰী মই, মোৰ সহধৰ্ম্মিণী, মোৰ ছোৱালী দৃগনী আৰু শ্ৰীমান যতীন্দ্ৰনাথ দুৱৰা,- যাৰ কবিতাৰ তলত নানৰ ক্ষুদ্ৰ তাণ্ডৱণ ছপা হৈ ওলায়—যদু। যদু কৰি এদিনৰ আগতে ভটং কৰে ডিব্ৰুকত ওলাইছিলগৈ, সম্ভৱতঃ চুম্বকৰ টানত আৰু সেই চুম্বকডোখৰো সম্ভৱতঃ ময়েই। নহয় যদি তেওঁ কওক, মই মোৰ দাবী এৰি দিম। যদিও আমাৰ ডিব্ৰুগড় বাস অধ্যায়ৰ "কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভনে'ৰ সময়ত যদু উপস্থিত হৈছিলগৈ, তথাপি ভগা সবাহত ওলোৱা তেওঁকো আমি সন্তোষৰ মলা চৰু বিলোৱাত ত্ৰুটি কৰা নাছিলোঁ। আমাৰ শিৱসাগৰমুখীয়া যাত্ৰাত তেওঁকো লগত লোৱা গ'ল; কাৰণ তেওঁৰোতো ওভতনি সেই ফাললৈকে। আমাৰ মটৰগাড়ীত তেওঁলৈ ঠাই নাছিল বুলিলেই হয়। কিন্তু ঠাই ন'হলে কি হ'ব তেওঁকতো নিবই লাগিব। মজিয়াত ঠাই নাথাকিলে লাগতিয়াল বস্তুক বাৰৰ হাঁকোটাত আঁৰি খোৱা হয়। তেনেকুৱা কিবা এটা দিহা কৰি যদুক আমাৰ লগত লোৱা গ'ল। দীঘলীয়া বাটত কবি এজন লগত থাকিলে বাটৰ শ্ৰম কমে বুলি মোৰ বিশ্বাস। তোমাৰ গা-বাইজাই কৰিলে, কবিৰ কাব্যৰ পুঙৰ পৰা এটা উঃ ওলালেই সি তোমাৰ গাৰ বাইজাই গুচাই দিব। বাটত যাওঁতে যাওতে তোমাকো যদি কেনেবাকৈ কনিতাই পায়, একো কথা নাই। কবি হাতে চুকি পোৱাতে আছে, তুমি কবিতাৰ সৰুসুৰা ফোৰোহনি এটা নিভয়ে মাৰি দিব পাৰা। তোমাৰ ফোৰোহনিয়ে কৰিব পৰা ততোধিক সুশ্ৰাব্য ফোৰোহনিহে উজাৰ খুৱাই দিব। কোনে কব পাৰে কাৰ কেতিয়া কেনে অৱস্থা ঘটে? যদি বাটত তোমাৰ কবিতাৰ হামি উঠিল, ভয় কি? কবি লগতে আছে। তেওঁ বসন্ত, মলয়া আৰু কুলি এই তিনিটি পুৰাতন কাব্যৰ উপাদানক তিনি টিলিকি মাৰি মাতি দি তোমাক পতি কৰিবলৈ লগাই দিব। হামিৰ পিছত যদি কেনেবাকৈ হেকটি আহিল, তথাপি ভয় নাই। তেওঁ তেওঁৰ চোলাৰ মোনাত থকা চন্দ্ৰামৃতৰ বড়ি এটি তোমাৰ মুখত পেলাই দি সেই হেকটি তেতিয়াই বন্ধ কৰি দিব; কোনো অনুপানৰে আৱশ্যক নহব। ধৰা যাওতে বাটৰ কাষৰ মুকলি ধানৰ পথাৰত যদি কোনো Solitary Reaperঅক অৰ্থাৎ কুঁজী হৈ হাতৰ কাচি লৈ অকলশৰীয়াকৈ ধান দাই থকা কোনো খোলোকা দাৱনীক কৰিয়ে তাইৰ লোদোৰ-পোদোৰ হাতেৰে কপালৰ ঘাম মচি থকা দেখে আৰু সেই দাৱনা যদি একাদশী দ্বাদশী ত্ৰয়োদশী চতুৰ্দ্দশীৰ পৰা পূৰ্ণিমাৰ ভিতৰতে হয়, আৰু পূৰ্ণিমাই বা কিয়—কৃষ্ণ পক্ষৰ অমাৱস্যা পৰ্য্যন্তও হয়; তেন্তে কবিয়ে তেতিয়াই কবিতাৰ সোৱণশিৰী সৃষ্টি কৰি তাৰ পানীক সোণৰ ৰেণুৰে ৰঞ্জিত কৰি তাৰ বালি ধুই সোণ উলিয়াই দিব। 'ওমৰ তীৰ্থ'ৰ যদু কবিৰ পৰা যদিও এনেবোৰ উপসৰ্গৰ আশঙ্কা কম, তথাপি তেনেবোৰ অসংযত কথাই মোৰ অসংযত

---

* বাঁহী—১৯শ বছৰ, ৭ম সংখ্যা, ১৮৫২ শক। অ-২১

মনত খেলাইছিল। মনৰ বাঘজৰীডাল ঢিলা হলেই যে এনে অসংযত চেকুৰ মোৰ মনে মেলে, এইটো সদায় মই দেখি আহিছোঁ। এতেকে এনে কথা উচপিচালে নচলে। যি হওক কৰিৰ সঙ্গ আমাৰ যাত্ৰাৰ পক্ষে শুভ বুলি ধৰি মই গাড়ীত উঠিলোঁ। কৰিক অন্তৰ্গত কৰি মটৰগাড়ীখনে মোৰ দৰেই কিবা ভাবিছিল নেকি কব নোৱাৰোঁ, আৰু ভাবিছিল যদিও জোখতকৈ নিশ্চয় অলপ বেছিকৈ ভাবিছিল। ফলত আমাৰ থকা ঘৰৰ পৰা এখনমান গৈযেই গাড়ীখনে দুৰ্ভাৱনাৰ আতিশয্যত গোট খোৱা তপত ভাববোৰ তাৰ চকৰি এটাৰ ৰবৰ টায়াৰ এটাই সোঁসোঁকৰে উলিয়াই দিলে। আমি বিমোৰত পৰিলোঁ। শ্ৰীমান ৰোহিণীকুমাৰ বোপাৰ তাল সদায় ঠিক থাকে কি গানত, কি কামত। আমাৰ তাল কাটি গৈছিল যদিও, তেওঁৰ নাকাটিল। তেওঁ লৰালৰিকৈ গৈ কিছুমান বেলিৰ মূৰত চকৰিটোত নতুন টায়াৰ এটা লগাই আনি গাড়ীক পুনৰায় গতি প্ৰদান কৰি পুনৰ যাত্ৰা সুৰসুৰীয়া কৰি পেলালে। কথাতে কয়, এবাৰ সাপে খালে কেঁচুলৈকো ভয় হয়। এইবাৰ মই সাৱধান হলোঁ, যাতে কৰিতাৰ ষ্টীম অৰ্থাৎ ভাপ মোৰ মনত জোখতকৈ বেছি গোট নাখায়। কিন্তু সমস্যা উপস্থিত হ'ল, আমাৰ কৰিজনাৰ কৰিতাৰ ভাবৰ ভাপত ভেটা দিয়া যায় কেনেকৈ? তেওঁক খোলাখুলিকৈ কলে কিজানি তেওঁ বেয়াকে পায়। কৰিৰ মনকুসুম কোমল মোৰ ধাৰণা, আন ভাপৰ কথাকে নালাগে কৰিৰ মনক তপত ভাতৰ ধোঁৱাযেই খায়। হাক বচনৰ বিষম ভাপে সেই মনক কোবাৰে সি যে ক্ষয় পৰি যাব তাত বিচিত্ৰ কি? অলপ-অচৰপ Hypnotism অৰ্থাৎ সন্মোহন বিদ্যা মোৰ জনা আছিল। Will power অৰ্থাৎ ইচ্ছাশক্তিকো অলপ-অচৰপ চলাবলৈ শিকিছিলো। তাৰে আশ্ৰয় ললোঁ। কৰিয়ে গমকে নোপোৱাকৈ মই তেওঁৰ চকুলৈ পোন্দোৱাকৈ চাবলৈ ধৰিলোঁ। মনে মনে মোৰ ইচ্ছাশক্তিয়ে আদেশ দিবলৈ ধৰিলে, "কৰিতা নাহিবি। কৰিতা তই দগাবাজ। তই চোৰ! তই ডকাইত। দগাবাজ চোৰ-ডকাইতৰ ঠাই পোতাশালহে। আমি উঠি যোৱা ডজ কোম্পানীৰ বিনিৰ্ম্মিত মটৰগাড়ী নহয়। আমাক মৰমৰ কৰিৰ কোমল হিয়াত সম্প্ৰতি তই উত্তওালি নকৰিবি। মোৰ দৰৱ ফাপিলে। আমাৰ দুইৰো মনত কৰিতাৰ সোঁত বন্ধ হ'ল। কৰিতাক বনবাস দি গাড়ীৰ গতিৰ লগতে মোৰ মনৰ গতিকো লগ লগাই দিলোঁ। মোৰ মনক কলোঁ—Forward march. আগবাঢ়া! চট্‌ৰবটৰ নকৰিবি! মন সুৰসুৰ কৰে গাড়ীৰ চকৰিৰ লগেভাগে ঘূৰিবলৈ ধৰিলে। গাড়ীও শিৱসাগৰমুৱা হল। ভাবিবলৈ ধৰিলোঁ:—আজি মই শিৱসাগৰলৈ যাব লাগিছোঁ। মোৰ মৰমৰ সেই ৰংপুৰ শিৱসাগৰ-যি শিৱসাগৰতে মই ডাঙৰদীঘল হৈছিলোঁ। আৰু দুঘণ্টামানৰ মূৰত মই সেই শিৱসাগৰ পামগৈ। হে মোৰ শিৱসাগৰ! কত কাল মই তোমাক দেখা নাই। আজিকালি তোমাক দেখিবলৈ কেনে হৈছেগৈ? তোমাৰ প্ৰত্যেক-ডোখৰ ঠাই মোৰ চিনাকি। তোমাৰ গাৰ ওপৰত গজা প্ৰতিডাল গছগছনি মোৰ সৰুকালত নুকুৰ বান্ধ আছিল, তুমি জানা। নিৰ্ম্মল চপচপীয়া পানীৰে মহিমামণ্ডিত বিশাল বৰপুখুৰীটো তুমি নিশ্চয় আজিও বুকুত লৈ শান্তি লভিছা। সোণৰ কলচীৰে জলমলীয়া শিৱদলটো আৰু তাৰ দুকাষে বিষ্ণুদ'ল আৰু দেৱীদ'ল দুটাই আজিও তোমাৰ মূৰত তিৰবিৰাই নিশ্চয় আছে। তোমাৰ কোলাত বহল বৰদলৰ পথাৰ-খনৰ ওপৰত থকা নানা বৰণীয়া পকা ধানৰ ওপৰত আজিও বতাহে ঢৌৱাই যায় নে? গা শাঁতকৈ লৈ যোৱা বশিষ্ঠা-গঙ্গা দিখৌৰ খবৰ কি? নিশ্চয় দিখৌৱে আগৰ দৰেই বৈ থাকি শিৱসাগৰীয়াৰ আয়ুশ্ৰী বৃদ্ধি কৰিব লাগিছে। আহা সেই দিখৌ। যি দিখৌত সততে নাদুৰি সাঁতুৰি মই অপাৰ আনন্দ লাভ কৰিছিলো। আজিও মোৰ মনত আছে—বাৰিষা দুই পাৰ উপচি যোৱা দিখৌত কেনেকৈ মই সাঁতুৰি ইপাৰ সিপাৰ হৈছিলোঁ। সেতিয়া দিখৌৰ ঘাটৰ ঘাটে আছিল বঙাই। বঙাই ডাঙৰ-দীঘল মানুহটো। তাৰ বৰণটোও বগা। মই তাক মাতিছিলো বঙাই ৰাজখোৱা বুলি। সেইদৰে সম্বন্ধ ধৰি মতাৰ উদ্দেশ্যটো মাখোন ঘাটৈৰ মনত সন্তোষ দি পইচা নিদিয়াকৈ তাৰ পাৰনাৱত উঠি দিখৌৰ মাজ পায়েই মই নাৱৰ পৰা জাপ মাৰি দি পানীত পৰি সাঁতুৰি সিপাৰত উঠিছিলোগৈ। একো এক দিন আনন্দৰ উদ্বেগত Somersault অৰ্থাৎ ওলোটা খৰ মাৰি নাৱৰ পৰা পানীত পৰি সাঁতুৰি নৈ পাৰ হৈছিলোঁ। এটা কথা আজিলৈকে মনত আছে, এদিন আবেলি মই দিখৌৰ সিপাৰৰ পৰা নাৱত উঠি ইপাৰলৈ আহি আছোঁ। মোৰ লগত মোৰ ভাগিন 'বন্ধু' (শ্ৰীমান পদ্মনাথ ফুকন) আছিল। এনেতে ইপাৰে বন্ধুৰ দেউতাক মুক্তানাথ ফুকন ডাঙৰীয়া ভিনিহিদেৱক দেখিলোঁ। ভয়ত আমাৰ মূৰৰ আগে জীৱ গল। তেওঁ আমি শুনাকৈ কাৰবাক ক'লে,—"সৌৱা চোৱা—মোৰ বৰপুত্ৰ আৰু বেজবৰুৱাৰ—ত্ৰ!" পৱৰ্গৰ পঞ্চম বৰ্ণটোহে তেওঁ ব্যৱহাৰ কৰিছিল। মই আৰু কি কৰিম লাজতে টোটোৱা পৰিলোঁ। নিশ্চয় বন্ধুই সেই দিনা দেউতাকৰ হাতত মাৰ খাইছিল। সেই দিনা আমি সিপাৰলৈ কিয় গৈছিলোঁ, কাৰণটো কওঁ:—

দিখৌৰ সিপাৰে শ্ৰীযুত শঙ্খধৰ বৰকাকতী উকিলৰ ঘৰ। তেওঁৰ বাৰীখন তামোলপাণ আৰু বগৰিৰে ভৰা। উকিলৰ পুতেক ত্ৰিনয়ন বৰকাকতীৰে

সৈতে স্কুলত মই একে শ্ৰেণীতে পঢ়িছিলোঁ। গতিকে তেওঁ মোৰ বন্ধু। তেওঁলোকৰ বাৰীত পকা বগৰি খাবলৈ আমি গৈছিলোঁ। বগৰি খাই যেনেকৈ মোৰ পেট ভৰিছিল, তিনিনিহিদেৰৰ সেই গা বেজবৰুৱাই বোৱা মাতষাৰ খাইও মোৰ ততোধিক হৈছিল। মই মনতে সঙ্কল্প কৰিলোঁ যে মই আকৌ সেইদৰে বগৰি খাবলৈ যামেই, কিন্তু আৰু কাকো লগত নৈ নাযাওঁ।

হে শিৱসাগৰ! তোমাৰ ভিতৰতে সম্ভ্ৰান্ত অসমীয়া ডাঙৰীয়াসকলৰ গমগমীয়া বাসস্থান আছিল। আজি আকৌ মই সেইবোৰ দেখিমগৈ, নহয় নে? সেই ডাঙৰীয়াসকলৰ অনেক কিজানি আজিও শিৱসাগৰ অলঙ্কৃত কৰি ৰাখিছে। সিংহ যেন পুৰুষ, মোৰ পিতৃদেৱতা দীননাথ বেজবৰুৱাতো আজি শিৱসাগৰত নাই। হায়! তেওঁৰ চৰণত মূৰ থৈ সেৱা কৰি তেওঁৰ আশীৰ্ব্বাদ লবলৈ ক'ত পাম? দীননাথ বেজবৰুৱা দেউতাৰ শাস্ত্ৰজ্ঞান, ধৰ্ম্মনিষ্ঠা, কৰ্ম্মকুশলতা আৰু ৰাইজৰ সাধাৰণ কাৰ্য্যত উৎসাহে সেই কালত শিৱসাগৰক অসমৰ ভিতৰত শ্ৰেষ্ঠ আসনৰ অধিকাৰী কৰি থৈছিল। শিৱসাগৰৰ সমাজ-বান্ধোনৰ জৰীডালৰ জোৰটো কেনেকৈ দেউতাই নিজৰ হাতৰ ভিতৰত দৃঢ় কৰি শিৱসাগৰৰ সমাজিক জীৱন সুশৃঙ্খল কৰি ৰাখিছিল। মাননীয় চিৰস্তাদাৰ ইন্দীবৰ বৰুৱা আৰু তেওঁৰ সুযোগ্য ভায়েকসকল—দামোদৰ বৰুৱা, শশীধৰ বৰুৱা, ৰত্নধৰ বৰুৱা আজিও শিৱসাগৰত আছে নে? সেই কালত শিৱসাগৰৰ দৈৱজ্ঞ ব্ৰাহ্মণসকলৰ ভিতৰত প্ৰধান পুৰুষ কৃষ্ণপ্ৰাণ শৰ্ম্মা চাংকাকতী, হৰকান্ত শৰ্ম্মা নাজিৰ আৰু গোপীনাথ শৰ্ম্মা প্ৰভৃতিক দেখিবলৈ পাম নে? বেজবৰুৱাৰ বংশৰ, সুপণ্ডিত হেমচন্দ্ৰ বৰুৱাৰ ভায়েক তুলসীৰাম বৰুৱা পণ্ডিত, সোমেশ্বৰ বৰুৱা আৰু ভায়েক মহেশ্বৰ বৰুৱা আছে নে! স্নেহাস্পদ দেশনেতা শ্ৰীযুত কুলধৰ চলিহা, ৺প্ৰেমধৰ চলিহা আৰু শ্ৰীযুত পদ্মধৰ চলিহাৰ পিতৃদেৱতা নিৰ্ভীক দেশহিতৈষী তেজস্বী পুৰুষ ফণীধৰ চলিহাক আৰু ফুকননগৰ নিবাসী সভাচতুৰনি বুদ্ধিমান নেতা গঙ্গাগোবিন্দ ফুকন আৰু তেওঁৰ অন্তৰঙ্গ বন্ধু বৈদ্যবিদ্যাবিশাৰদ মোৰ জ্যেষ্ঠ ভ্ৰাতা ব্ৰজনাথ বেজবৰুৱাক শিৱসাগৰত দেখিবলৈ পাম নে? দিখৌৰ পাৰৰ ঘৰত বসেদ্ৰৰ ঘৰৰ শিলাকুটি মৌজাদাৰ ইন্দ্ৰেশ্বৰ বাৰুখোৱা আৰু তেওঁৰ ভায়েক কমলচন্দ্ৰ আৰু সেই শাৰীৰে ঘৰত গঙ্গাধৰ শৰ্ম্মা উকিল, মিষ্টভাষী শ্যামসুন্দৰ দুৱৰা ডাঙৰীয়া আৰু সেই কালত ইংৰাজী ভাষাভিজ্ঞ বুলি প্ৰখ্যাত পৰমানন্দ ভঁৰালী ডাঙৰীয়া আজিও আছে নে? বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহা আৰু দেশসেৱক যাদৱপ্ৰসাদ চলিহাৰ পিতৃদেৱতা—তেতিয়াৰ দিনত উঠি অহা ডেকা উকিল সুযোগ্য কালীপ্ৰসাদ চলিহা ডাঙৰীয়াক দেখিবলৈ পামগৈ নে? শ্ৰদ্ধাস্পদ দুৰ্গাপ্ৰসাদ বৰুৱা আৰু ৰমাকান্ত নাজিৰ সেই মই দেখি অহা ঘৰতে আজিও আছে নে? সুবিখ্যাত চৰকাৰী বিষয়া শ্ৰীযুত ৰাধানাথ ফুকনৰ পিতৃদেৱতা ডাঙৰীয়া কৃপানাথ ফুকন আৰু ভায়েক যদুনাথ ফুকন সেই আমাৰ ঘৰৰ ওচৰৰ বাৰীখনৰ ঘৰতে আছে নে? যুৱগ্ৰীৱিদ কাশীনাথ তামুলীফুকনৰ পুতেক মুক্তানাথ ফুকন তিনিনিহিদেৰৰ ঘৰো আমাৰ ঘৰৰ ওচৰতে আছিল। এতিয়াও সেই ঘৰ সেইদৰেই আছে নে? বৰভিনিহি বিদ্যাধৰ বৰুৱা, মহাপণ্ডিত উৰ্ব্বীধৰ শিৱসাগৰীয়া বৰুৱাৰ পুতেক কীৰ্ত্তিধৰ বৰুৱা আৰু আমাৰ ভাগিন সোমধৰ বৰুৱাৰ ঘৰ আগৰ ঠাইতে আছে নে? বৰভিনিহি বিদ্যাধৰ বৰুৱাৰ ঘৰত এজোপা ডাঙৰ বহত গছ আছিল। কত দিন তেওঁলোকৰ ঘৰলৈ গৈ মই বহত খাইছিলোঁ আৰু তেওঁলোকৰ বাৰীৰ পাছফালে থকা পকা মিৰিকা টেঙা চুৰ কৰি খাইছিলোঁ। তেতিয়াৰ দিনত বাহী গাৱে মই পানী এটোপাকে নেখাইছিলোঁ। সেইদেখি পুৱা সিদিনা মই মিৰিকা টেঙা চুৰ কৰিছিলোঁ। টেঙাবোৰ চুৰিযাৰ কোচত লৈ বাহিৰে বাহিৰে গৈ দিখৌত জোবোৰা মাৰি গা ধুইহে তাক মুখত দিছিলোঁ।

গহীন গম্ভীৰ দুৰ্গেশ্বৰ শৰ্ম্মা চিৰস্তাদাৰ আৰু তেওঁৰ ভায়েক টেপু মাষ্টৰলৈকো (লোকনাথ শৰ্ম্মা) মনত পৰিছে। দুৰ্গেশ্বৰ চিৰস্তাদাৰক মোৰ দেউতাই বৰ ভাল পাইছিল। গধূলি প্ৰায় দিনৌ দেউতা তেওঁৰ ঘৰৰ ফালে ফুৰিবলৈ গৈছিল। তেওঁৰ পুতেক দ্বাৰকেশ্বৰ শৰ্ম্মা বেচ বুদ্ধিমান ল'ৰা আছিল। কলিকতাত একেটা মেছতে আমি আছিলোঁহক। বেচেৰা অকালত কালৰ গৰাহত পৰিল। দ্বাৰকেশ্বৰৰ মাক মোৰ মোমাইৰ জীয়েক আছিল।

দুৰ্গেশ্বৰ চিৰস্তাদাৰৰ কথাতে এইখিনিতে আৰু এটা ঘটনা মোৰ মনত পৰিল। এবাৰ মই দিছাংমুখৰ ঘাটত কলিকতালৈ যোৱা জাহাজ ধৰি কলিকতালৈ যাবলৈ আহিছিলোঁ। লগত মোৰ ককাইদেউ এজন আহিছিল। দিছাংমুখৰ 'ফ্লাটিং ডাকবঙলা'তে আমি জাহাজলৈ বাট চাই তাতে আমাৰ আহাৰ কাৰ্য্য সমাপণ কৰিলোঁহক। ককাইদেউজনে আগগুৰি নাভাবি, ডাকবঙলাৰ খানচামাৰ ওপৰত খং কৰি তাৰ বিৰুদ্ধে ভিজিটৰ্চ বুকত অৰ্থাৎ যাত্ৰীসকলৰ মতামত লেখি থবলৈ থকা কিতাপত লেখিলে,—Rice bad অৰ্থাৎ ভাত বেয়া। সেইষাৰ লেখি তেওঁ সম্পূৰ্ণৰূপে তলত নিজৰ নামটোও চহী কৰিলে। ককাইদেৱে তাত কি লেখিছিল মই দেখাই নাছিলোঁ। জাহাজ আহিলত মই জাহাজত উঠি কলিকতালৈ গলোঁ আৰু তেওঁ ঘৰলৈ গ'ল। ইয়াৰ কিছুমান দিনৰ পিছত হেনো চিৰস্তাদাৰ দুৰ্গেশ্বৰ

শৰ্ম্মা এবাৰ দিছাংমুখলৈ আহোঁতে সেই কিতাপখনত সেই লেখা দেখিবলৈ পালে, আৰু শিৱসাগৰলৈ উভতি গৈ সেই কথা লৈ মহা গোলমাল লগাই দিলে। মই কলিকতাত থাকোঁতে সেই খবৰ পাই নথৈ হাঁহিছিলো। ককাইদেৱে কি সন্তোষজনক উত্তৰ দি সেই আন্তকালৰ হাত সাৰিছিল, মই অৱশ্যে কব নোৱাৰোঁ। ঠিক এই শাৰীৰে এটা ঘটনা মই শিৱসাগৰত থাকোঁতেই হৈছিল। শিৱসাগৰত ঢাকাৰ মুছলমান বেপাৰীৰ কেইখামখনো দোকান আছিল। এখন দোকানৰ বেপাৰীটোৰ নাম আছিল ইমু। আমাৰ শিৱসাগৰৰ ব্ৰাহ্মণ ডেকা এজনে বোপকৰেঁ৷ লোভ সামৰিব নোৱাৰি এদিন ইমুৰ দোকানৰ পৰা এটিন বিস্কুট কিনি আনিলে। তেওঁ যদি তাৰ দাম নগদ দিলেহেঁতেন, তেন্তে কাৰো সাধ্য নাছিল সেই কাৰ্য্য জানিবলৈ। কিন্তু তেওঁ উঠনাদ ৰহীত বিস্কুট বুলি লেখি দি চহী কৰি গুচি আহিল। পৰিল কাৰবাৰ চকুত সেইটো। আৰু ৰপুৰা যাব কলৈ? সেই কথা লৈ নগৰ গোটেইখন তোলপাৰ লাগিল। ডেকাজনক, সমাজৰ গুৰিয়াল সকলে চেপি ধৰিলত, তেওঁ কলে—"বিস্কুট" লেখা নাছিল, "জিন্‌কোট" লেখিছিল; কাৰণ তেওঁ সেই দোকানৰ পৰা জিন কাপোৰৰ কোট অৰ্থাৎ চোলা এটাহে আনিছিল যিটো তেওঁ দিনৌ পিন্ধি ফুৰিছে, বিস্কুট তেওঁ কিয় কিনিবলৈ যাব, যিটো বস্তু হাতেৰেই নোচোৱে।"

টেপু মাষ্টৰ নামতহে টেপু, কিন্তু দেখিবলৈ বং ভইৰ মানুহ আৰু আমি স্কুলীয়া লৰাৰ মনত তেওঁ দ্বিতীয় টিপু চুলতান আছিল। তেওঁৰ ভয়ত আমি স্কুলত কঁপি থাকোঁ। তেওঁৰ হাতত খোৱা কোব কেইটা মোৰ আজিও মনত আছে আৰু আজিও মোৰ হাতৰ তলুৱাখন ফৰফৰাইছে যেন লাগে, অৱশ্যে যদিও মই আনবোৰ লৰাতকৈ কম মাৰ খাইছিলো। ত্ৰিলোচন নাজিৰ আৰু ভায়েক পৰমা আৰু নাজিৰৰ পুতেক সহদেৱ পণ্ডিতে আজিও শিৱসাগৰৰ আমোলোপটীত শৰাধ, শান্তিকৰম, তিলহোম প্ৰভৃতি বামুণীয়া পুৰোহিতালি কাৰ্য্যবোৰ কৰি ফুৰে নে? নাজিৰ সেইবোৰ কাৰ্য্যত বৰ পটু আৰু বিধিব্যৱস্থাত বৰ পণ্ডিত আছিল। কিন্তু লোকলৈ বিধিবিধান দিয়াতহে পণ্ডিতসকলক পটু হোৱা দেখা যায়, নিজৰ বেলিকা সেইবোৰ প্ৰায় নামানি চলাহে তেওঁলোকৰ গঢ়গতি। নাজিৰে লোভ কৰি কৰবাৰ পৰা ঘোঁৰা দান লৈ আৰু ঘনে ঘনে সোণ দান লৈ জগৰত পৰা কতবাৰ দেখিছিলো। বগাতাৰা আৰু ক'লাতাৰাৰে বা খবৰ কি? বগাতাৰা বিখ্যাত ক্ষেত্ৰেশ্বৰ পণ্ডিতৰ পুতেক আৰু বেছ বুদ্ধিমান ডেকা আছিল। যাক ক'লাতাৰা বুলিছোঁ, তেওঁ তামুলীফুকনৰ ঘৰৰ কমলানাথ ফুকন ডাঙৰীয়াৰ পুতেক। তেওঁৰ বৰণ নিশ্চয় কলা নাছিল, কিন্তু বগাতাৰাৰ বৰণটো বৰ বগা হোৱাৰ নিমিত্তে তেওঁ বিজুণিত ক'লা নাম পাইছিল। ধক্‌ধক্ কৰে বগা সুবিখ্যাত দাদাভাই নৌৰজীয়ে বিলাতত বগা ইংৰাজৰ তুলনাত লৰ্ড চল্‌চবেৰিৰ মুখৰ পৰা Black man অৰ্থাৎ ক'লা মানুহ নাম পোৱাৰ দৰে আমাৰ দুই নগৰৰ তাৰাই তেনে নাম পাইছিল।

প্ৰিয়ৰাম দত্ত জীয়াই আছে নে? মোৰ মনত পৰে, তেওঁৰ ঘৰ আমাৰ স্কুলৰ ওচৰতে আছিল। ডাঙৰীয়া লক্ষ্মীনাথ কাকতীয়ে কলিকতাত পঢ়ি গৈ প্ৰথমতে আমাৰ স্কুলত ছাৰ্ড মাষ্টৰ হয়। তাৰ পিছতহে ছবডিপুটী আৰু ই-এ-চি। তেওঁ প্ৰথমতে শ্ৰীযুত প্ৰিয়ৰাম দত্তৰ ঘৰত আছিলগৈ।

ৰামবাবু আৰু বিষ্ণুবাবুৰ ঘৰো আমাৰ স্কুলৰ ওচৰতে আছিল। অসমত অনেকদিন বাস কৰি আধখিনি অসমীয়া হৈ যোৱা বঙালী তেওঁলোক। ৰামবাবুৰ বিলাতী মদৰ দোকান আছিল। বিষ্ণুবাবু কাছাৰীৰ অফিচ চুপাৰিণ্টেণ্ডেণ্ট। ভায়েক-ককায়েক দুয়ো বৰ গাৱাল আছিল আৰু সেই বিষয়ত দুইৰো ভিতৰত, এজনে বোলে মোক চা, আন জনে বোলে মোক চা বিধৰ। ৰামবাবুৰ পুতেক এজনে মোৰে সৈতে একে শ্ৰেণীতে পঢ়িছিল। বিষ্ণুবাবুৰো পুতেক এজন আছিল। তেৰোঁ গা-গাৱিৰ বিষয়ত বাপেকতকৈ হয় চৰা, নহয় বাপেকৰ সমান, নহয় অলপ নাম্‌নাচ্। ঠাকুৰদাস, ঘোষ আৰু তেওঁৰ পুতেক গোপালবাবু মাষ্টৰ, গিৰীশ, নগেন্দ্ৰও প্ৰায় একেবাৰেই অসমীয়া হৈ যোৱা বঙালী। ঠাকুৰদাসবাবুৱে আবেলি আমাৰ ঘৰত দেউতাই শ্ৰীমদ্ভাগৱত ব্যাখ্যা কৰা, আন আন শ্ৰোতাসকলেৰে সৈতে বহি শুনিছিলগৈ। পুতেক গোপালবাবুৱে পুৱা গৈ দেউতাৰ কাষত নিদান, ভাব প্ৰকাশ ইত্যাদি আয়ুৰ্ব্বেদ শাস্ত্ৰ পঢ়িছিলগৈ। এটা কথাৰ নিমিত্তে কিছুমান দিনৰ পিছত গোপালবাবুৰ পাঠত ব্যাঘাত ঘটিছিল। সাধাৰণ ব্ৰাহ্ম সমাজৰ প্ৰচাৰক পণ্ডিত ৰামকুমাৰ বিদ্যাৰত্ন নামেৰে বঙালী এজনে অসমত ব্ৰাহ্মধৰ্ম্মৰ প্ৰচাৰ কৰি ফুৰিছিল। শিৱসাগৰত তেওঁ গোটাচেৰেক বক্তৃতা দিছিল আৰু গোপালবাবুৰ ঘৰত ব্ৰাহ্মধৰ্ম্মৰ পদ্ধতি অনুসাৰে ব্ৰহ্মোপাসনা কৰিছিল। তেওঁৰ বক্তৃতা শুনি শিৱসাগৰৰ ডেকাসকলৰ ভিতৰত বৰকৈ চাঞ্চল্য উপস্থিত হৈছিল আৰু কোনো কোনো ডেকাই ব্ৰহ্মোপাসনাত যোগ দিছিল। মোৰ দেউতা আৰু পণ্ডিত তুলসীৰাম ধৰুৱা প্ৰভৃতিয়ে বাধা দি ডেকাসকলক পুনৰায় বাজোনৰ ভিতৰলৈ আনিছিল। তুলসী ধৰুৱা পণ্ডিতে প্ৰতিবাদ স্বৰূপে ব্ৰাহ্মধৰ্ম্মৰ

বিৰুদ্ধে আমাৰ স্কুলৰ ঘৰত বক্তৃতা পঢ়া আৰু ৰাম-কুমাৰ বাবুৱে সেই সভাত উঠি কাণৰ কণামাকৰি সৰি যোৱা চিঞৰেৰে তাৰ প্ৰতিবাদ কৰা আজিও মোৰ মনত আছে। *

পঞ্চম অধ্যায়

শিৱসাগৰ হাইস্কুলত হেড্‌মাষ্টৰ চন্দ্ৰমোহন গোস্বামী, চেকেণ্ড মাষ্টৰ বিষ্ণুচন্দ্ৰ চক্ৰবৰ্ত্তী, সংস্কৃতৰ পণ্ডিত প্ৰসন্ন-কুমাৰ আচাৰ্য্য আৰু ধৰ্ম্মেশ্বৰ মাষ্টৰে আজিও পঢ়ায় নে? নপঢ়ায় নিশ্চয়, বোধকৰোঁ তেওঁলোকৰ মৰি-হাজি গ'ল। সনাতন নন্দীয়ে তলৰ শ্ৰেণাত ঘনে ঘনে আহি একৃটিং কৰি পঢ়ায় নে? তেওঁৰ মাক অসমীয়া আৰু বাপেক বঙালী আছিল। মানুহজন বেছ আমোদপ্ৰিয় আছিল। অক্ষয়কুমাৰ ঘোষ আৰু বিনোদলাল ঘোষে আজিও শিৱসাগৰত ওকালতি কৰে নে? অক্ষয়বাবু হাতমুকলি আৰু বহল-মনৰ মানুহ আছিল। তেওঁ প্ৰচুৰ ধন উপাৰ্জ্জন কৰিছিল, কিন্তু ৰাখিব নোৱাৰিলে। কৃষ্ণানন্দ গোহাঁইৰ দেউতাক, আৰু তিৰু কাকতী প্ৰভৃতি শিৱসাগৰৰ কাষৰেপাঁজৰে থকা বিশিষ্ট ভদ্ৰলোকসকলে আমাৰ দেউতাৰে সৈতে দেখা কৰিবলৈ মাজে মাজে তাহানি আমাৰ ঘৰলৈ আহিছিল। তেওঁলোক নিশ্চয় ইহসংসাৰত নাই। শিৱসাগৰত থকা আদৰ্শ-বঙ্গ-বিদ্যালয় আৰু তাৰ হেড্‌পণ্ডিত প্ৰাণকৃষ্ণ কৰ বাবু ক'ত? তাহানি মই সৰুতে বঙলা স্কুলত পঢ়োঁতে এদিন মোৰ পেট কামুৰিছে বুলি তেওঁৰ ওচৰত ছুটি লবলৈ যাওঁতে, তেওঁ মোক সুধিছিল "আজি তুমি কিমান কোমল চাউল খালা?" দ'লৰ টিনাই ঠাকুৰ আৰু নগৰমহল মৌজাদাৰ বৰঠাকুৰ ক'ত? বপুৰা টিনাই ঠাকুৰ। তেওঁ দিনৌ দুপৰীয়া খাই-বৈ উঠি এঘুমটি শোৱা অভ্যাস কৰি লৈছিল। কেতিয়াবা শুবলৈ নোপোৱাকৈ কৰবালৈ যাব লাগিলে তেওঁ খোজ কাঢ়িয়েই টোপনিযাই গৈছিল। তেওঁৰ কাৰ্য্য প্ৰণালী আছিল এনেকুৱা :--

তেওঁ এশ কি দুশ খোজৰ বাটডোখৰ এবাৰ চকু মেলি চাই লৈ তাৰ পিছত চকু মুদি খোজ কাঢ়ি-ছিল। যেতিয়াই তেওঁৰ জোখৰ বাটছোৱাৰ ওৎ পৰে, তেওঁ চকু মেলে আৰু আকৌ এছোৱা চাই লৈ চকু মুদি খোজ কাঢ়িবলৈ ধৰে। কামটো বুধিয়কৰ কাম নহয় নে বাৰু? তেতিয়াৰ দিনত মটৰগাড়ীৰ দৌৰাত্ম্য নাছিল, নতুবা এই প্ৰণালী অচল হলহেঁতেন নিশ্চয়। যাওক। আজিকালি অৰ্জ্জুনগুৰিত কোন কোন আছে? পূজনায় প্ৰাণনাথ বেজবৰুৱা আৰু তেওঁৰ পুতেক লক্ষ্মীনাথ, কাশীনাথ তাত আছে নে? জাজীৰ জৰাবাৰী সত্ৰৰ ডেকাগোসাঁই আগৰ দৰে নগৰলৈ আহে নে? আহি আমাৰ ঘৰৰ পুখুৰীপাৰত থাকে নে? তেখেতৰ পুতেক শ্ৰদ্ধাস্পদ শ্ৰীযুত নিত্যানন্দ গোসাঁই মোৰ বৰ সুহৃদ আছিল। বোধকৰোঁ তেওঁ আজিকালি অধিকাৰৰ পদত।

আৰু কত মানুহৰ কথা মনত পৰিল। দিখৌৰ কাষৰ হৰদেউ খাটনিয়াৰ, যুগৰাম পোদ্দাৰ ইত্যাদিলৈ। আমাৰ ঘৰৰ ঘৰগিৰিয়নী ঘিণলাগী বাই, লইভা বেজিনীলৈ। তেওঁলোকে বেজিনীৰ ব্যৱসায় আজিও শিৱসাগৰত কৰি ফুৰে নে? আজিও বুদু ভকতে বাটৰ কাম আৰু লগে লগে কাছাৰী ঘৰৰ আগত 'টাউট'ৰ কাম কৰে নে? মণিৰাম আৰু ধূলিৰাম ডাক-হৰকৰাই আজিও শিৱসাগৰত ডাকৰ চিঠি বিলায় নে? দিখৌৰ পাৰৰ ঘাটত বঙাই ঘাটৈয়ে নাও পাৰ কৰিছিল। ইমান দিনে সেই ঘাটৈ তাত আছে নে? গোলাম পটিৰ বঙা-মুৱা, পিথু আৰু তাৰ পুতেক পানীৰাম মজুৰি লৈ লোকৰ বননি আগৰ দৰে আজিও কৰে ফুৰি নে? সিহঁতৰ ঘৰত লগৰীয়া বনুৱা জুৰ্‌মনেই বা ক'ত? তাহানি ভিনিহিদেও মুক্তানাথ ফুকনৰ ঘৰত লিগিৰী এজনী আছিল। তাইৰ নাম ভদৰী। ফুকনৰ ল বাটো আমাৰ ঘৰলৈ আহি, উলটি যোৱাত পলম হলে তাই ফুকনৰ ঘৰৰ পাছফালৰ বাৰীৰ পৰাই চিঞৰিছিল--"অ বৰ নুপি! আহ ঐ!" আজি আমাৰ শিৱসাগৰ ঘৰলৈ গলে তাইৰ সেই বিং শুনিম নে? বিদ্যাধৰ চিৰস্তাদাৰ ভিনি-হিৰ ঘৰত দুজনী বেটী আছিল। এজনীৰ নাম সৰুকণ, আনজনীৰ নাম গেলী। সিহঁতলৈকো মনত পৰিল। মৰিদিখৌত আজিকালিও অনেক মানুহ গোট খাই পল বাবলৈ আহে নে? আৰু তাহানিৰ নিচিনাকৈ উফি-যাই চাৰিউফালৰ পল বোৱা মানুহক সিহঁতে মাতে নে? মই তাহানি মৰিদিখৌত জাককালি দল চেলাই মাছ ধৰিছিলো আৰু পানীৰ তলৰ বোকাত শুই থকা বাচ জোঙেৰে খুচি খুচি ধৰিছিলো। আজিকালিও সেই দৰে কোনোবাই মাছ-কাছ ধৰে নে? মৰিদিখৌৰ পাৰৰ সেই বৰ পলাশজোপাত আজিও সেইদৰে গছ ভৰি পলাশ ফুল ফুলে নে? মানুহৰ লৰাকালডোখৰ কল্পনাৰ ৰামধনু। কত ৰকম উজ্জ্বল ৰহণেৰে যে সেই ডোখৰ কাল ৰহণোৱা হয় তাৰ লেখজোখ নাই। মানুহৰ মুখে শুনিছিলো যে আৰিমত্ত ৰজাই সোণ আৰু ৰূপেৰে খুন্দ খুৱাই ভৰাই দিয়া তেওঁৰ নাওখন এই মৰিদিখৌতে বুৰাই থৈ পৃথিৱী এৰি স্বৰ্গলৈ গুচি গৈছিল। এতিয়াও হেনো বিচাৰিলে পানীৰ তলত বোকাত পোত গৈ থকা নাওখন পোৱা যাব পাৰে। এডাল সোণৰ শিকলিৰে হেনো নাওখন পাৰৰ হিজল গছজোপাত আজিলৈকে বন্ধা আছে। মই কত দিন মৰিদিখৌৰ পাৰে পাৰে সেই নাওখনৰ কুট উলিয়াবলৈ

* বাঁহী -- ২১শ বছৰ, ৮ম সংখ্যা, চ'ত ১৮৫২ শক। অ-সা

ডাঙৰ ডাঙৰ গছৰ গুৰিত চাই ফুৰিছিলোঁ যদি শিকলি-ডাল চকুত পৰে। মনৰ ভাৱ এনেকৈ যে এনাও সোণ-ৰূপ পাই একেবাৰেই মই ধনৰ গছৰ আগত নিশ্চয় উঠিব পাৰিম। কিন্তু মই নিজে উঠিবলৈ মোৰ সেই চেষ্টা নহয়, মোৰ দেউতাক আৰু মই ভাল পোৱা আমাৰ ঘৰলৈ অহাযোৱা কৰা দেউতাৰ বন্ধু-বান্ধৱসকলক তুলিবলৈহে। সেইসকলৰ ভিতৰত মান্যবৰ গঙ্গাগোবিন্দ ফুকনো এজন আছিল। আৰু ভাবিছিলো, দেউতাৰ ধাৰবোৰ মই তেনেহলে মাৰি দি দেউতাক নিশ্চিন্ত কৰিব পাৰিম আৰু মোৰ মাতৃদেৱী আৰু বৌসকলৰ গাবোৰ ভাল ভাল কাপোৰকানি গহনাৰে ভৰাই দিব পাৰিম। এই কেইটা কাৰ্য্যৰ পিছত আনন্দ মনেৰে মই এই পৃথিৱীত ঘূৰি ফুৰিম। আৰু শেহত বুঢ়া বয়স ডোখৰৰ তিনি ভাগৰ এভাগ আমাৰ গুৰুঘৰ বৰদুৱা আতাৰ থান কমলাবাৰীত আৰু এভাগ জগন্নাথ ক্ষেত্ৰত আৰু এভাগ বৃন্দাবনত কটাই দিম। এনে মতলব কৰি কাকো নোকোৱাকৈ মই দিনো মৰিদিখৌ পাৰে পাৰে হাবিয়ে-বননিয়ে বৰ বৰ গছবোৰৰ গুৰিবোৰলৈ চকু দি ঘূৰি ফুৰিছিলো। আৰিমত্ত ৰজাৰ সাধুটো যিসকলে জানে, তেওঁলোকলৈ নহয়, নজনাসকললৈ তাৰ সংক্ষেপ বিৱৰণ তলত দিলোঁ :—

আৰিমত্ত ৰজা মহীমত্ত ৰজাৰ পুতেক। মহীমত্ত নিজ ৰাজ্য ৰত্নপুৰত ৰাজত্ব কৰি, তেওঁৰ পুতেক আৰিমত্তক বিশ্বনাথত ৰজা কৰি দিলে। আজিকালি যাক মাজুলী বোলে তাতেই ৰত্নপুৰ ৰাজ্য আছিল। অলপ আগৰ পৰা কথাটো কওঁ। মহীমত্তৰ দুজন পুতেক হৈছিল। এজনৰ নাম নাগমত্ত আৰু আনজনৰ নাম আৰিমত্ত। কিন্তু দুই ভায়েকৰ মাজত মিলা-প্ৰীতি নথকা দেখি বুঢ়া মহীমত্ত ৰজাই ভাবিলে যে তেওঁ জীয়াই থাকোঁতেই দুই পুতেকক দুখন ৰাজ্যত সুকীয়াকৈ বহুৱাই দি যোৱা ভাল নতুবা দুয়ো দন্দ-হাই কৰি ৰাজ্য ধ্বংস কৰিব। ইয়াকে ভাবি তেওঁ তেওঁৰ মন্ত্ৰী মনোহৰক পঠিয়াই দি বিশ্বনাথ পৰ্ব্বতৰ অলপ পশ্চিমত ব্ৰহ্ম-পুত্ৰৰ উত্তৰত আৰু দীক্ৰাই নদীৰ কিছু দক্ষিণত এখন নগৰ সজাই দিয়ালে। নগৰখনৰ নাম বিশ্বনাথ থলে। নাগমত্তক সেই ৰাজ্যত ৰজা পাতি মহীমত্তই আৰিমত্তক নিজৰ লগত ৰত্নপুৰতে ৰাখিলে। বুঢ়া-ৰজাই ৰত্নবস্তু সকলোকে সমানে দুভাগ কৰি দুই পুতেকক দিলে। নাগমত্তই বিশ্বনাথতে নাগেশ্বৰ নামে শিৱ স্থাপন কৰি ৰাজত্ব কৰিবলৈ ধৰিলে আৰু পুত্ৰৱতে প্ৰজাক পালিবলৈ ধৰিলে। কিন্তু দৈৱ-দুৰ্ব্বিপাকত কুৰি বছৰ বয়সতে নাগমত্ত পৰ-লোকলৈ গ'ল। বুঢ়া ৰজাই কান্দিকাটি বৰ শোক কৰি তেওঁৰ দ্বিতীয়জন পুতেক আৰিমত্তক বিশ্বনাথত ৰজা পাতিলে। ৰত্নপুৰত বুঢ়া ৰজা মহীমত্ত আৰু বিশ্বনাথত ডেকা ৰজা আৰিমত্ত। আৰিমত্ত অপুত্ৰক।

এদিন মহীমত্ত ৰজাই পুতেকক চাবলৈ বিশ্ব-নাথলৈ গ'ল। পুতেকে বাপেকক পাই অতি আদৰ ভক্তি কৰি ৰাজ্যত ৰাখিলে। এদিন মহীমত্তে আৰি-মত্তক ক'লে—"বোপা! নাগমত্ত মৰিবৰে পৰা মই বেজাৰত মৃগয়া কৰা নাই। ক্ষত্ৰিয়ৰ ধৰ্ম্ম মৃগয়া কৰা সেইদেখি আজি মই তোমাৰ লগতে মৃগয়া কৰিবলৈ যাব খুজিছোঁ, ব'লা। পশুৰ মাংসৰে মাংস সৰ্ব্বকা শ্ৰাদ্ধ কৰিলে অশেষ পুণ্য হয়।" বাপেকৰ কথা শুনি আৰিমত্তই আনন্দেৰে বাপেকক লগত লৈ মৃগয়ালৈ যাবলৈ প্ৰস্তুত হ'ল। এই খবৰ শুনি বুঢ়া মন্ত্ৰী মনোহৰে ৰজাৰ আগত মিনতি কৰি কলে—"স্বৰ্গদেউ! বন্দীৰ দোষ মৰিষণ কৰিব, একেষাৰ কথা কওঁ। শাস্ত্ৰত কৈছে পিতা আৰু পুত্ৰই লগ লাগি ব্যাধৰ কাৰ্য্য কৰাটো গৰ্হিত। দ্যূত-ক্ৰীড়া, ধন ধাৰে দিয়া আৰু নিয়া, পাশা, দবা আৰু পঁচি ইত্যাদি খেল পিতা-পুত্ৰৰ ভিতৰত অকৰ্ত্তব্য।" কিন্তু মন্ত্ৰীৰ এই হাকবচন বাপেক-পুতেক দুয়ো নুশুনি মৃগয়া কৰিবলৈ গ'ল। দুয়ো গাঠা, শেল, শূল আৰু নানা ৰকম অস্ত্ৰ লৈ সসৈন্যে ঘোৰ অৰণ্যত প্ৰৱেশ কৰি অলেখ জন্তু বধ কৰিলে। বাঘ, ভালুক, ৰৰা, ম'হ, গড়, মেঠোনৰ পৰা আৰম্ভ কৰি শহা পহুলৈকে মাৰি দমাই পেলালে। ইয়াৰ পিছত দৈৱ-দুৰ্ব্বিপাকত আৰিমত্তই এটা হৰিণা পহুলৈ কাঁড় মাৰি পঠিয়ালত, পহুটোৰ গাত নালাগি কাঁড়পাত বাপেক মহীমত্তৰ গাত লাগিল আৰু বাপেকৰ মৃত্যু ঘটিল। আৰিমত্তৰ গাত পিতৃবধ পাতক লাগিল। তেওঁ কান্দিকাটি নগৰলৈ উভতি আহি ব্ৰাহ্মণসকলক মাতি আনি তেওঁক পৰাচিত কৰাই পাতকৰ পৰা উদ্ধাৰ কৰিবলৈ ক'লত, ব্ৰাহ্মণসকলে একবাক্যে ৰজাক কলে যে আমি ইয়াৰ পৰাচিত কৰিব নোৱাৰে। ইয়াৰ পৰাচিত তুষানলত প্ৰাণত্যাগ। তাৰ পিছত আৰিমত্তই ৰত্নপুৰত মন্ত্ৰীৰ পুতেক মনোহৰৰ গাত ৰাজ্য পালন কৰিবৰ ভাৰ দি আৰু বিশ্বনাথত বুঢ়া মন্ত্ৰীৰ গাত ভাৰ দি জগন্নাথ-ক্ষেত্ৰলৈ গ'ল। বাটত সাক্ষিগোপাল পাওঁতেই তেওঁ দেখিলে যে তেওঁৰ গাত কুষ্ঠ ব্যাধি ওলাল আৰু স্বপ্নত জগন্নাথে পাণ্ডাক আদেশ দিলে যে পিতৃবধী আৰিমত্তক যেন জগন্নাথলৈ যাব দিয়া নহয়। আৰিমত্ত ব্যৰ্থ মনো-ৰথ হৈ উভতি আহি গঙ্গাত তেওঁৰ ধনসোণ সমৰ্পি পাপৰ পৰা অব্যাহতি পাবৰ চেষ্টা কৰাত গঙ্গায়ো তেওঁৰ ধনসোণ দলিয়াই পেলাই তেওঁক বিমুখ কৰিলে। ইয়াৰ পিছত তেওঁ নিৰুপায় হৈ বিশ্বনাথলৈ উভতি আহিল। তেওঁৰ মনত সুখ নাই। তেওঁ ভাবিলে তেওঁৰ ভনীয়েক ভেলাদৈক ব্ৰহ্মপুত্ৰই বিয়া কৰিছে

যেতিয়া, ব্ৰহ্মপুত্ৰৰ ওচৰলৈকে যাওঁ, যদি ব্ৰহ্মকুণ্ডত তেওঁৰ পাপমুক্ত হ'ব পাৰে। ইয়াকে ভাবি তেওঁ নাৱেৰে উজাই চৌখান ৰাজ্য পালেগৈ আৰু তাৰ পিছত মিছিমিৰ ৰাজ্যত প্ৰৱেশ কৰিলে। লগত অসংখ্য ধনসোণ তেওঁ লৈ গৈছিল, ব্ৰহ্মপুত্ৰক দিবলৈ। কিন্তু দুখৰ কথা—ব্ৰহ্মপুত্ৰইও ধনসোণ নলৈ তেওঁক পাপমুক্ত কৰিবলৈ অস্বীকাৰ কৰিলে। বজাই দুখ মনেৰে উভতি আহি দিখৌত সোমাল। তেওঁ প্ৰবাদ শুনিছিল যে যেতিয়া দিখৌৰ গৰা খহিব, পানীত কুঁহিয়াৰ হব আৰু পাৰত ঋাওবন গজিব তেতিয়া দিখৌ গঙ্গাৰ সমান হব। এই কথা হেনো পূৰ্ব্বত বশিষ্ঠ মুনিয়ে কৈছিল। দীঘৌৰ তেনে হোৱা দেখি, তেওঁ উজাই গৈ শিৱসাগৰৰ (পিছৰ কালত শিৱসাগৰ নাম পোৱা) ওচৰৰ দিখৌত তেওঁৰ এনাও ধনসোণ নাওখনেৰে সৈতে বুৰাই দি শিকলি এডালেৰে সেই বুৰা নাওখন এজোপা হিজল গছত বান্ধি থৈ পানীত পৰি মৰিল। দিখৌৰে সেইদেখি সেই ঠাইক এৰি আনফালে বৈ গ'ল আৰু দিখৌৰ সেই ডোখৰেই মৰিদিখৌ নাম পালে। মই কত দিন সেই হিজলজোপা অকলে অকলে বিচাৰিছিলো আৰু নাপায় ব্যৰ্থমনোৰথ হৈ ঘৰলৈ উভতি গৈছিলো। তাহানি দোকমোকালিতে মই হাতত কুকি লৈ নিজৰ ফুলনিবাৰী আৰু লোকৰ ফুলনিবাৰীতো সোমাই গোসাঁই-পূজালৈ ফুল তুলিছিলো। আজিকালি লৰাবোৰে তেনে কৰে নে? তাহানি মাখৰ বিহুত মই আনৰে সৈতে হাঁহকণী যুজাইছিলোঁ। চ'তৰ বিহুত প্ৰায় গোটেই মাহ জুৰি পঁচি খেলিছিলো। এতিয়া তেনে ৰং-ধেমালি শিৱসাগৰত আছে নে? ৰাজহুৱা নামঘৰত বৰসবাহ পূজা আদি উৎসৱ হয় নে? নিশ্চয় কালৰ গৰাহত এইবোৰৰ সৰহখিনি সোমাই নাইকিয়া হৈছে চাগৈ। যি হওক আজি শিৱসাগৰ মোৰ মনত তীৰ্থস্থান হৈ পৰিছে। শিৱ-সাগৰৰ সীমা পালেই, মই এবাৰ মটৰগাড়ীৰ পৰা নামি মোৰ শিৰত শিৱসাগৰৰ ধূলি এচিকটা লম। নিশ্চয় মোৰ কাৰ্য্য দেখি লগৰীয়াসকলে হাঁহিব। হাঁহে হাঁহিব তথাপি লম।

এনেবোৰ ভাবে মোৰ মনটো তলওপৰ কৰি গৈছে। এনেতে দিছাং নৈ পালোঁগৈ। দিছাং শব্দটো শুনিয়েই মোৰ মনটো প্ৰসন্ন হৈ পৰিল। এই নৈখনেই নে সেই দিছাং-যাৰ মুখত মই ডাকজাহাজত উঠি ১৮৮৬ খৃষ্টাব্দত কলিকতালৈ গৈছিলোঁ। শিৱসাগৰৰ ঘৰৰ পৰা দিছাংমুখলৈ আহোঁতে আৰু আৰু তাৰ পৰা মাজে মাজে কলিকতাৰ পৰা আহি শিৱসাগৰলৈ যাওঁতে প্ৰত্যেক বাৰতে মোৰ কি কি দুখ হৈছিল সকলোবোৰে শাৰী পাতি মোৰ মনৰ আগত থিয় হ'ল। যাইকৈ, যিবাৰ দিছাংমুখৰ পৰা পৰিছিলো আৰু যিটো গমনৰ কথা মই কৃপাবৰ বৰুৱাৰ ওভতনি কিতাপত ওলোৱা "অশ্বাৰোহণ পৰ্ব্বত" লেখিছিলো। দিছাং পাৰ হোৱাৰ পিছৰ পৰাই মোৰ শিৱসাগৰ পালোঁহি পালোঁহি লাগিল। কিছুমান বেলিৰ মূৰত সঁচাকৈয়ে বৰপুখুৰীৰ পাৰৰ ডাকবঙলাত আমাৰ গাড়ীখন ৰ'লগৈ। আমি গাড়ীৰ পৰা নামিডাক বঙলাত সোমাই তাতে থাকিবৰ দিহা কৰিলোঁ। চৰ্‌ডিভিজনেল অফিচৰ হাকিম ভূঞা সহধৰ্ম্মিণীৰে সৈতে দিনচেৰেকৰ নিমিত্তে তাতে আছিল। তেওঁলোকেই আমাক আদৰ-অভ্যৰ্থণা কৰি আমাৰ ডাকবঙলা বাস সুখকৰ কৰি দিলে।

মোৰ হেঁপাহৰ বৰপুখুৰীটো দেখিলোঁ। তাৰ পানী আগৰ দৰেই চপ্‌চপীয়া আৰু সুনিৰ্ম্মল। আগৰ দৰেই তাত বনৰীয়া ৰাজহাঁহ চৰি আছে, আৰু সেই দৃশ্যই দৰ্শকৰ মন মোহিছে। কিন্তু তাৰ পাৰ কেইটাৰ কি দুৰৱস্থা! যি বৰপুখুৰীৰ ইটাগুৰীয়া বঙা পাৰৰ বাটত বেজী এটা পৰিলেও সেই আগৰ আমাৰ দিনত অনায়াসে বুটলি লব পাৰি তেনে পাৰৰ, ঘাইকৈ উত্তৰ আৰু পশ্চিমৰ পাৰৰ বাট দুটাৰ অৱস্থা কি লৈলৈ, থৈথৈ! পাৰৰ কাষৰ পানীত চাৰিওফালে ঘাঁহবনৰ মহা পয়োভৰ। সেইবোৰে জুৰি সিহঁতৰ অখণ্ড প্ৰতাপ বিস্তাৰ কৰি বৰপুখুৰীৰ দৰ্শকৰ আগত বুঢ়া আঙুলি দেখুৱাব লাগিছে। যি বৰপুখুৰীৰ পুত আশীৰ্ব্বাদত শিৱসাগৰৰ মানুহে কি জাৰকালি, কি ঘামকালি, কি বাৰিষাকালি সুস্থ শৰাৰ আৰু সুদীৰ্ঘ জীৱন লাভ কৰি আছে, সেই বৰপুখুৰীৰ প্ৰতি শিৱসাগৰীয়া ৰজাঘৰ আৰু প্ৰজাঘৰৰ এনে আওহেলা! সেই বেজাইৰ কথা খৰলৈ ঠাই নাই। শিৱসাগৰ প্ৰধান চহৰ গুচি মহকুমা হ'ল যদি হ'ল, সেইবুলি শিৱসাগ-ৰীয়াই শিৱসাগৰখন আৰু বৰপুখুৰীৰ পাৰকেইটা সাতিবুতি অঁতাইপিতাই চিকুণাই ৰাখিব নোৱা-ৰিলে, শিৱসাগৰীয়াৰ মান কোনটো আমাৰ ভিতৰত থাকিব? হেৰা শিৱসাগৰীয়া! তুমি মোক কোৱাচোন তোমাক সুধিছোঁ জয়মতী উৎসৱ কৰোঁতে শিৱ-সাগৰীয়াৰ জয়সাগৰ আজিও জহগুমলৈ যোৱা অৱস্থাতে। শিৱসাগৰকো তেওঁলোকে বাৰেক জয়সাগৰৰ বাটলৈ ঠেলি পঠিয়ালে শিৱসাগৰীয়াৰ যশখ্যা শিকিয়াত তুলি থ'ব লাগিব। মিউনিচি-পেলিটী আৰু ডিষ্ট্ৰিক্ট বোৰ্ডৰ সভ্য আৰু সভাপতি হৈ প্ৰকৃত Civic duty লৈ অৰ্থাৎ নাগৰিক কৰ্ত্তব্যলৈ পিঠি দি আন প্ৰকাৰে প্ৰভুসকলৰ প্ৰিয়পাত্ৰ হৈ উপাধি আৰু যহলৈ হাত মেলাটোৱেই শিৱসাগৰীয়াৰ এক মাথোন কৰ্ত্তব্য নে? দৌল তিনিটাক জানিবা দৌলৰ ভিতৰৰ অধিষ্ঠাতৃ দেৱতা

তিনিজনেই আগৰ দৰেই বাধি থৈছে, ৰৰপুখুৰীটোক ৰক্ষাৰ ভাৰ ভিতৰত থকা জলকোঁৱৰৰ হাতত দিয়েই শিৱসাগৰীয়া নিশ্চিন্ত নেকি ?

আবেলি আমাৰ পুৰণি ঘৰ চাবলৈ গ'লোঁ। দৌলৰ মুখৰ পৰা আমোলাপটিৰ ফালে যোৱা পোন বাটটোক পাহৰিবৰ উপায় নাই। কিন্তু যেতিয়া ৰোহিণীকুমাৰ বোপাই মটৰ গাড়ীখন বাঁওফালৰ এপিনে সুমাবলৈ নিলে, মই তেওঁক সুধিলোঁ ক'লৈ নিছা ? তেওঁ ক'লে —"আপোনালোকৰ ঘৰলৈ যোৱা এইটোৱেই বাট।" মই দৃঢ়ভাবে ক'লোঁ "নহয়"। তেওঁ কলে—"হয়"। তথাপি মোৰ সন্দেহ নগল। এঘৰৰ দুৱাৰমুখত যেতিয়া গাড়ীখন ৰলগৈ, মই নামি মানুহ এটাক সুধিলোঁ, "এইটো কাৰ ঘৰ ককাই ?" সি মোৰ ককাইদেউৰ নাম কল'তহে মোৰ ভ্ৰম দূৰ হল। হৰি হৰি ! এযেই নে প্ৰকাণ্ড চৌলেৰে ঘৰ-বাৰীৰ অৱস্থা ! আমাৰ চৌললৈ সোমোৱা বাটৰ মুখত থকা সেই ওখ বাটচৰাটো কলৈ গ'ল ? তাৰ পৰা ঘৰলৈকে দীঘলীয়া বাটৰ দুই কাষে থকা দুশাৰী নাহৰ গছ নেদেখোঁ। দেখোন ? বাটৰ মুখৰ সেই প্ৰকাণ্ড জৰী গছজোপা কোনে চুৰ কৰিলে ? দেউতাৰ দৰবৰ ঘৰ, চৰাঘৰ, গোসাঁইঘৰ, বান্ধনিঘৰ, মাৰলঘৰ, ৰৰঘৰ প্ৰভৃতি ক'ত মাৰ গ'ল ? দৰবৰ ঘৰৰ সমুখত থকা কাঞ্চনফুল গছজোপাৰ, বক ফুলজোপাৰ দেখোন চিনমোকাম নাই ! ৰৰঘৰৰ মুখৰ ফালে থকা বৰ আম গছজোপা দেখোন লুপ্ত। তাৰ পৰা পাৰি ডাঙৰ ডাঙৰ পকা আম খোৱা মোৰ এতিয়াও মনত আছে। ভিতৰৰ ফালে সোমাই গৈ দেখিলোঁ পুখুৰীটোৰ নানাং নবস্ত্ৰং নচবাৰিপাত্ৰং অৱস্থা। তাৰ দেখোন জকাটোহে বাকী ! পুখুৰীৰ পাৰ কেইটা খহি জহি পুখুৰীটো দেখোন পুখুৰী গুচি ডাঙৰ খাল নে ডোং কিবা এটাতহে পৰিণত হবলৈ গ'ল। মোৰ সৰুকালত এই পুখুৰীয়েই অশেষ লীলাখেলাৰ থল আছিল বুলি আজি মই শপত খাই ক'ব পাৰো নে ? যিটো পুখুৰীত মই সাঁতুৰি, জপিযাই খৰ মাৰি, বুৰ মাৰি, নাও খেলাই তোলপাৰ লগাই দিছিলোঁ, সেইটো পুখুৰী সঁচাকৈয়ে এইটোৱেই নে ? পাৰৰ তেঁতেলীজোপাই বা গ'ল ক'লৈ ? আমোল গছ আৰু কঁঠাল গছজোপাক বা কোন অজগৰে [illegible]লিলে ? যি তেঁতেলীজোপাৰ ডালত মই দুপৰীয়া [illegible] সুমি [illegible] থাকি, আবেলি সেই আৰাম পৰিহাৰ [illegible] পৰা জাপ মাৰি পুখুৰীত পৰি নানা [illegible]। সেই তেঁতেলীৰ অন্তৰ্দ্ধান [illegible]। আমাৰ ঘৰৰ কাক [illegible] [illegible] জুৰুক। তোমালোকে জানা [illegible], এই পুখুৰীৰ আদখিনি গা আবৰি থকা [illegible] মোৰ মৰমৰ তেঁতেলীজোপা ক'লৈ গ'ল ? এনে বেজাৰ বুকুত লৈয়েই বঙালী পৰিব্ৰাজক কৃষ্ণপ্ৰসন্ন সেনে যমুনা নৈখন দেখি গাইছিল—"যমুনে ! এই কি তুমি সেই যমুনা প্ৰবাহিনী !" ইত্যাদি। ইয়াৰ পিছত আমাৰ মাজুককাইদেও ৰায়চাহাব শ্ৰীযুত জগন্নাথ বেজবৰুৱা আৰু তেওঁৰ পুতেক নাতিয়েকহঁতক চাই, তেওঁৰ তাতে অলপ বহি জিৰাই-শতাই বাহিৰলৈ আহি চহৰ ঘূৰিবলৈ গ'লোঁ। কিন্তু চহৰৰ ষ'লৈকে যাওঁ, ত'তে আগৰ চিনচাব একো নেদেখোঁ। অৱশ্যে উদ্গতিৰ ফলত যে পুৰণি চিনচাব নাইকিয়া হৈছে নহয়, অধোগতিৰ ফলতহে। ডিবুৰুগড়ৰ পৰা আহোঁতে বাটত মই যিবোৰ চিত্ৰ মনত আঁকি আহিছিলো,, সেইবোৰ সোপাই মচ খালে। মোৰ আগত এখন আচহুৱা ডালদৰিদ্ৰ শিৱসাগৰ হাজিৰ হ'লহি। বিৰক্ত হৈ মনৰ ভিতৰতে ক'লোঁ—"ৰেল ! হাম এহি শিৱসাগৰ নাহি মাংতা ! হামাৰা পুৰণা শিৱসাগৰকু দেখলাও" কোনে মোৰ কথা শুনে ! কোনেই বা এই ফপহুৱা হাকিমৰ হুকুম তামিল কৰে !!

আগৰ তৰফৰ মানুহ যাক মই চিনিছিলো জানিছিলো, তাৰ দুজন কি এজনৰ বাহিৰে কোনো নাই। মোৰ মনৰ পটত চিত্ৰিত হৈ থকা শিৱসাগৰক কালৰ অনন্ত কোটী উয়ে খাই ধ্বংস কৰিলে। মোৰ বুকুৰ জপাত সুমাই থোৱা শিৱসাগৰৰ নিগনিশলিয়াই কুটি খাস্তাং কৰিলে। মোৰ হেঁপাহৰ শিৱসাগৰ বৃন্দাবন পুৰি ছাই হল ! সেই প্ৰকাণ্ড ধ্বংসৰ বাতৰি মোক দিবলৈ তাৰ ছাইবোৰহে মোৰ চাৰিওফালে উৰি ফুৰিছে। শ্লোক মনত পৰিল :

যদুপতেঃ কৃগতা মথুৰাপুৰী।
ৰঘুপতেঃ কৃগতোত্তৰ কোশল।

যৎপৎ থকা ঠাইলৈ উলটি গ'লোঁ।

ওপৰত উল্লেখ কৰা বিষাদৰ কথাবোৰ আঁতৰাই থৈ কওঁ যে মই শিৱসাগৰ সোমোৱা মুহূৰ্ত্তৰ পৰা মোৰ প্ৰতি শিৱসাগৰৰ মানুহৰ মৰম-চেনেহ আদৰ অভ্যৰ্থনাৰ অন্ত নপৰিল। সাহিত্য সভা,বিদ্যাপীঠ, শঙ্কৰ সমিতি প্ৰভৃতি কেইবাখনো সভা-সমিতিত তেওঁলোকে মোক সমাদৰ আৰু মৰম বিতৰণ কৰি ধন্য কৰিছিল। তেওঁলোকৰ আগত মই কৃতাঞ্জলি কৰি কৃতজ্ঞতা জনাবলৈ থিয় হ'লোঁ।

১৫ অক্টোবৰৰ দিনা আমি শিৱসাগৰ পাই ছিলোগৈ। ১৭ অক্টোবৰৰ দিনা শিৱসাগৰ এৰি মটৰেৰেই যোৰহাটমুৱা হ'লোঁ। *

* বাঁহী—২০শ বছৰ, ৮ম সংখ্যা, বহাগ ১৮৫২ শক। অ-হা

ষষ্ঠ অধ্যায়

অক্টোবৰৰ সোতৰ তাৰিখে যোৰহাট পালোঁগৈ। যোৰহাট পাবলৈ তিনিমাইলমান বাট আছে, এনেতে দেখিলোঁ, সেইকালৰ পৰা খনচেৰেক মটৰগাড়ী আমাৰ ফালে আহিব লাগিছে। অলপৰ পিছতে দেখিলোঁ, যোৰহাটৰ গণ্যমান্যসকলৰ ভিতৰত, মোৰ পুৰণি বন্ধু জনচেৰেক আমাক আগবঢ়াই নিবলৈ আহিছে। তেওঁলোকৰ মোৰ প্ৰতি মৰম আৰু আগ্ৰহ দেখি সঁচাকৈয়ে মোৰ চিত্ত আনন্দত গদগদ হল। ঈশ্বৰৰ অশেষ করুণা যে তেওঁলোকৰ এই নগণ্য বন্ধুৱে তেওঁৰ দাঘল প্ৰবাসৰ জীৱনত কোনো গহিত কাম কৰি তেওঁৰ অসমীয়া ভাই বন্ধুসকলৰ স্নেহ আৰু শ্ৰদ্ধা হেৰুৱা নাছিল সচাকৈয়ে অসমৰ ভিতৰলৈ মই যিমান সোমাই গৈছিলোঁ মোৰ স্বদেশী ভাই-সকলৰ মোৰ প্ৰতি সৰল সদয় আৰু স্নেহপূৰ্ণ ব্যৱহাৰ দেখি মোৰ বুকুখন দিনক দিনে ডাঠ হৈ গৈছিল।

যোৰহাট ডাকবঙলাত আমি উঠিলোহঁকগৈ। ডাকবঙলা পোৱা মহতুৰ পৰা আমাক লগ ধৰিবলৈ অহা যোৰহাটবাসী ভাই বন্ধুসকলৰ অবিৰাম সোঁত আমি তাত থকা কেইদিন আমাৰ ফালে বৈছিল। পিছ দিনা ওঠৰ তাৰিখে চন্দ্ৰকান্ত সন্দিকৈ হলত বিৰাট সভা পাতি মোক অভ্যৰ্থনা কৰিবৰ আয়োজন কৰা হ'ল। সেই সভালৈ গৈ মই দেখিলোঁ যে মানুহেৰে সভাঘৰ ভৰি পৰিছে এনে নহয়, সভাঘৰৰ বাহিৰতো মানুহে ঢাকি পৰিছে। সভাঘৰৰ ভিতৰত মানুহৰ যেনেকৈ পযোভৰ সঙ্গীত বিয়াহ গোৱা ইত্যাদি উৎসৱৰো তেনেকৈ পযোভৰ। মই অকলে নিমন্ত্ৰিত হৈ গৈছিলোঁ। মোৰ সহধৰ্মিনী, জীহঁত আৰু জোঁৱাই নিমন্ত্ৰিত হোৱা নাছিল। কিয় ক'ব নোৱাৰোঁ। সভাত বৰধলৰ নিচিনা সেই আন্দোৎসৱ দেখি, তাৰ ভাগ মোৰ সহধৰ্মিনী আৰু জী-জোঁৱায়ে নোপোৱাত মোৰ মন অলপ ক্ষুন্ন হৈছিল আৰু সেই কথা মই উদ্যোগ কৰ্ত্তাসকল জনাইছিলোঁ। বোধকৰোঁ তেওঁলোকৰ পাহৰণি নাইবা সভানানুহৰে সৈতে তিৰোতাসকল একে সভাতে নবহা কিবা নিয়মৰ নিমিত্তে কিজানি তেনে হৈছিল। যি হওক সভাৰ কাৰ্য্য অতি আনন্দকল্লোলৰ ভিতৰত সম্পাদিত হৈ গ'ল। বদন বৰফুকনৰ সম্পৰ্কে এটা গীত শ্ৰীযুত শশীচন্দ্ৰ বৰবৰুৱাকে প্ৰমুখ্য কৰি জনচেৰেক ডেকাই বিয়াহ গোৱাৰ সুৰেৰে গাইছিল। বস্তুটি অতি উপাদেয় হৈছিল। পাহৰণিৰ দৌৰাত্ম্য মোৰ ওপৰত অতি ভীষণ। সেই গীত বা কবিতাটোৰ ৰচনাৰ কথাবোৰ মোৰ বৰ চিনাকি চিনাকি যেন লাগিছিল অথচ কোনো পধ্যে মনত পেলাব নোৱাৰি-ছিলোঁ, আগেয়ে ক'ত শুনিছিলোঁ। সভা ভাগিযোৱাৰ পিছত যেতিয়া শ্ৰীযুত শশীচন্দ্ৰ বৰবৰুৱাক তেওঁ-লোকৰ গীত-নৃত্য আৰু অভিনয়ৰ উৎকৰ্ষৰ বিষয়ে কৈ মই তেওঁক সেই গীতটো কাৰ দ্বাৰা ৰচিত বুলি সুধিলোঁ, তেওঁ ক'লে যে সেইটো হেনো মোৰ ৰচনা। মই অবাক হ'লোঁ। তেতিয়াহে মোৰ মনত পৰিল যে কথাটো হয়। কিন্তু এই লেখকৰ প্ৰতি পাহৰণিৰ কি পেংলাই।

১৯ অক্টোবৰত সেই চন্দ্ৰকান্ত হলতে ৰাজহুৱা চাহ-জলপানৰ আয়োজন বৃজনকৈয়ে হৈছিল। সেই দিনা অৱশ্যে মোৰ সহধৰ্মিনী আৰু জী-জোঁৱাই-হঁতো নিমন্ত্ৰিত হৈ গৈছিল। সেই দিনাও যোৰহাট-বাসীৰ আনন্দ আৰু মোলৈ শ্ৰদ্ধা তেওঁলোকৰ সঙ্গীত, অভিনয় আৰু বক্তৃতাদিত সৰ্ব্বতোভাৱে পৰিস্ফুট হৈ প্ৰকাশ পাইছিল। সঙ্গীতজ্ঞ বন্ধুবৰ শ্ৰীযুত কীৰ্ত্তিনাথ বৰদলৈয়ে আগদিনাৰ দৰে অসমীয়া পুৰণি ৰাগ-ৰাগিণীক প্ৰতিমূৰ্ত্তি প্ৰদান কৰি তেওঁৰ ছাত্ৰীসকলৰ দ্বাৰাই গোৱাই আমাক মুগ্ধ কৰিছিল। ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা যেন তেওঁক দীৰ্ঘজীৱী কৰি ৰাখি অসমীয়া পুৰণি গীত-মাতক আৰু সজীৱ কৰি তুলিব পৰা কৰে। অসমত প্ৰচলিত পুৰণি ৰাগ-ৰাগিণীৰে সৈতে অসমীয়া সঙ্গীত পুনৰ্জ্জীৱিত হৈ উঠাটো দেখি গ'লে মোৰ জীৱন ধন্য হ'ব বুলি মই নিশ্চয়কৈ ভাবোঁ। কুৰি অক্টোবৰৰ দিনা বেজবৰুৱা হাইস্কুল'ৰ ছাত্ৰ আৰু শিক্ষকসকলৰ অভ্যৰ্থনা, অভিনন্দন ইত্যাদি মহোৎসৱৰ বৰষুণেৰে সৈতে প্ৰকৃতিয়ে বৰষা বৰষুণকো আমি শিৰোধাৰ্য্য কৰিলোঁ। দুটাৰ অতিশয্যত আমাৰ অন্তৰ বাহিৰ অভিষিক্ত হৈ পৰিছিল। কিন্তু প্ৰকৃতিৰটো যেই কিবা নহওক ছাত্ৰৰ আৰু শিক্ষকসকলৰ বৰষুণত মৰম শ্ৰদ্ধা আৰু আন্তৰিকতাৰ জীপ্ থকা নিমিত্তে প্ৰকৃতিৰ নিষ্ঠুৰ বৰষুণতো আমি সেঁতেতা লগা নাছিলোঁ। বাহিৰৰ ধাৰাসাৰ বৰষুণৰ যেতিয়া ওৰ পৰিল, ভিতৰৰ বৰষুণত ভপত হৈ থকা আমি বাহিৰলৈ ওলাই প্ৰকৃতিৰ উত্তৰ, দক্ষিণ, পূব পশ্চিম চাৰিওফালে আমাৰ বৃদ্ধাঙ্গুষ্ঠ প্ৰদৰ্শন কৰি আমাক মৰমৰ উমেৰে তপত কৰি থোৱা ছাত্ৰ আৰু শিক্ষক বন্ধুসকলক আমাৰ শলাগ জনাই, বাহিৰত থাকি তিতিবুৰি জুৰুলা হৈ কানীযাৰ দৰে চকু মুদি থকা মটৰক কদৰ্থনা কৰি তাতে উঠি গোলাঘাটলৈ যাত্ৰা কৰিলোঁ।

গধূলি গোলাঘাট পালোঁগৈ। তাতো গোলাঘাট-বাসী বন্ধু-বান্ধৱৰ মহাসমাৰোহ। গোলাঘাটৰ ডাক-বঙলাতে অৱস্থান কৰি, ভতিজা কৃষ্ণনাথৰ ঘৰত নানা বিধ অসমীয়া আহাৰ সম্ভাৰেৰে ভাত উদৰস্থ কৰি তৃপ্তি লভি, তাৰ পিছত ৰাতি গোলাঘটীয়া ডেকাসকলৰ ৰঙ্গশালত অভিনয় দেখি সন্তোষ আৰু পথশ্ৰমৰ ভাগৰ আৰু তাৰ ফল টোপনিক বুকুত বান্ধি লৈ উলটি আহি শুই থাকি ৰাতিটো পৰমানন্দেৰে কটাই দিলোঁহক।

পিছ দিনা আবেলি গোলাঘাটত পুৰুষ আৰু মহিলাসকলৰ সম্মিলিত সভাৰ অধিবেশন। ফুল-বাগিচাৰ মাজত মুকলি আকাশ আৰু মুকলি বতাহৰ বিপুল অথচ মধুৰ মৃদু সাহায্যত আমি সমবেত ভদ্ৰলোক, ভদ্ৰমহিলা আৰু ছাত্ৰসকলৰ মাজত বহি চাহ-পিঠাপনা প্ৰভৃতি খুমিহঁ আহাৰেৰে সৈতে সুমধুৰ সঙ্গীত আৰু ডেকা আৰু ল'ৰা এটিয়ে লগ লাগি কৰা হাস্যৰসপূৰ্ণ ভাও উপভোগ কৰি পুৰুষ মহিলা আৰু ছাত্ৰসকলৰ প্ৰদত্ত অভিনন্দন পত্ৰ গ্ৰহণ কৰি সন্ধ্যা লাগি ভগা সময়ত যোৰহাটলৈ-উভতি আহিবৰ নিমিত্তে পুনৰ মটৰবোহন কৰিলোঁ। সেই দিনা দীপান্বিতা আছিল। বাটৰ মানুহৰ ঘৰৰ আগত দিয়া নানা ৰকম চাকিৰ বিতোপনপোহৰ চাই চাই, বাতি ন মান বজাত আমি আকৌ যোৰহাট পালোঁহি।

যোৰহাটত সেই দিনা বাতি আমাৰ ডেকা বন্ধুসকলে মহা আড়ম্বৰে খিয়েটৰ পাতি আমাক অতি আগ্ৰহেৰে নিমন্ত্ৰণ কৰিছিল দেখি আমি গোলাঘাটত আৰু নাথাকি ততাতৈয়াকৈ সেই ৰাতিয়েই গোলাঘাটৰ পৰা যোৰ-হাটলৈ উভতি আহিছিলো। মোৰ ভতিজা শ্ৰীমান দেৱেন্দ্ৰনাথৰ ঘৰত আমি খাইবৈ ৰাতি এঘাৰমান বজাত খিয়েটৰ চাবলৈ গলোঁহক। খিয়েটাৰ ঘৰত মানুহ খুন্দ খোৱা। যোৰহাটৰ শীৰ্ষস্থানীয় গণ্য-মানুহৰ পৰা আৰম্ভ কৰি সকলো তৰপৰ মানুহেৰে সভাঘৰ পৰিপূৰ্ণ। কেইবাটাও বছা বছা দৃশ্যৰ অভিনয় কৰি দেখুৱাই অভিনেতাসকলে দৰ্শকসকলৰ মন মুহি পেলাইছিল। শ্ৰীমান পাৰ্বতিপ্ৰসাদ বৰুৱাই নটৰাজৰ নৃত্য দেখুৱাই সঁচাকৈয়ে আমাৰ বিস্ময় আৰু শ্ৰদ্ধা আকৰ্ষণ কৰিছিল। অসমীয়া ডেকা এজনৰ এনে কৃতিত্ব দেখি সঁচাকৈয়ে মই নিজকে গৌৰৱান্বিত বিবেচনা কৰিছিলো আৰু মোৰ সধৰ্ম্মিনীক কৈছিলোঁ যে তেওঁলোকৰ বঙ্গদেশত পাৰ্বতিপ্ৰসাদে এই কাৰ্য্যত তেওঁৰ সমধৰ্মীসকলেৰে সৈতে সমানে জোৰ মাৰিব পাৰিব। পাৰ্বতি বোপাক মই অন্তৰেৰে সৈতে আশীৰ্ব্বাদ কৰি সুচাওঁ, অসমৰ ডাঙৰ ডাঙৰ সত্ৰবোৰত, ঘাইকৈ কমলাবাৰী সত্ৰত পুৰণি কালৰো পৰা প্ৰচলিত Classic চালিনাচ, জুমুৰা নাচকে আদি কৰি নটুৱাৰ নাচবোৰ তেওঁ আয়ত্ত কৰি সেইবোৰ সত্ৰৰ চাৰিবেৰৰ ভিতৰৰ পৰা বাহিৰলৈ আনি অসমীয়া অতু-লনীয় নৃত্যকলা জগতবাসীৰ চক্ষুগোচৰ কৰে যেন।

ৰঙ্গশালত অভিনয় আৰু নৃত্যৰ সামৰণিৰ পিছত দুৰ্ভাগ্যক্ৰমে এটি ঘটনা ঘটিল। অভিনেতা ডেকা-সকলে "কৃপাবৰ বৰুৱাৰ ওভতনি" বুলি এটা প্ৰহসন নে কি সেই ৰঙ্গমঞ্চতে আৰম্ভ কৰি দিলে। দৰ্শকসকলে ভাবিছিল আৰু ময়ো ভাবিছিলো যে মোৰ দ্বাৰাই ৰচিত কৃপাবৰ বৰুৱাৰ ওভতনি নাম দি প্ৰহসনৰ নিচিনা কিবা এটা নতুন বস্তু ৰচনা কৰি তাৰে অভিনয় কৰি আমাক দেখুৱাইছে। তেওঁলোকৰ উদ্দেশ্য যে সজ আৰু আমাক আমোদ দিবলৈকে যে তেওঁলোকে সেই নতুন কৃপা-বৰবৰুৱাৰ ওভোতনি চৰ্জ্জন কৰিছিল, তাত মোৰ এধানমানো সন্দেহ নাই। কিন্তু বঙালীয়ে কোৱাৰ দৰে শিৰ গচোঁতে বান্দৰ হৈ উঠিল। মই যিমান দূৰ বুজিছোঁ, তেওঁলোকে প্ৰথমতোখৰত বোধকৰোঁ কৃপাবৰ বৰুৱাৰ বিপক্ষ দল এটা সৃষ্টি কৰি, সেই দলৰ হতুৱাই কৃপাবৰ বচোঁতৰ গ্লানি গোৱাই, তাৰ পিছত গ্লানিকাৰকবোৰক কথাই জোৰাইজোথাই উত্তৰ কৃপাবৰানুৰাগী এদলৰ হতুৱাই দিয়াই চুঙা চাই গোপা দিব খুজিছিল। কিন্তু প্ৰথম দলৰ বাক্যবচন শুনি আৰু সেই অনুযায়ী অভিনয় দেখিয়েই দৰ্শকসকলে পিছলৈ বাট নাচাই উত্তেজিত হৈ উঠিল। বাস্ত-ৱিকতে তেওঁলোকৰ ভিতৰত প্ৰবল চাঞ্চল্যাই দেখা দিলে। খন্তেকতে খিয়েটৰঘৰ ইংৰাজীত কৰৰ নিচিনা Regular Pandemonium অৰ্থাৎ উচ্ছৃঙ্খলতাৰ স্থান হৈ উঠিল। ফলত সেই প্ৰহসনৰ অভিনয় ততালিকে বন্ধ কৰি দিয়া হ'ল। অভিনেতাসকলৰ অনেকে ৰঙ্গমঞ্চৰ পৰা নামি আহি মোৰ ওচৰত দুখ আৰু অনুশোচনা প্ৰকাশ কৰিবলৈ ধৰিলে। বন্ধুবৰ শ্ৰীযুত পূৰ্ণানন্দ পাঠকে যোৰহাটৰ ভদ্ৰলোকসকলৰ হকে সেই কাৰ্য্যত দুখ প্ৰকাশ কৰি পিম হৈ কিছু কথা ক'লে। ময়ো তেওঁলোকৰ অনুশোচনাত সহানুভূতি প্ৰকাশ কৰি কলোঁ যে মই সমূলি বেয়া পোৱা নাই, কাৰণ মই বুজিছোঁ যে তেওঁলোকৰ অনিচ্ছাতে কৰবাত কিবা অলপ কেৰোণ লগাত এনে হৈ উঠিল। তেওঁলোকে সজ উদ্দেশ্য লৈ তেনেকুৱা কৰিবলৈ গৈছিল। কিন্তু দৈৱক্ৰমে তাৰ ফল বিপৰীত হৈ পৰিল। বাস্তৱিকতে আনন্দৰ এৰা গাখীৰ কঁৰীয়াত দৈবাৎ গোবৰ পৰি গাখীৰ কঁৰীয়া নষ্ট হ'ল বুলি মই নিশ্চয় বুজিছিলো। তেওঁলোকে ইমান আগ্ৰহকৈ তেওঁলোকৰ মাজলৈ মোক মাতি আনি যে মোৰ কিবা অপমানজনক কাৰ্য্য কৰিবলৈ যাব, এনেটো ভবাই ভয়ানক ভুল। তেওঁলোকৰ অনেকক মই ভালকৈ জানো আৰু তেওঁলোকৰ মৰম আৰু শ্ৰদ্ধা মই সদায় পাই আহিছোঁ। এতিয়াও কওঁ যে দৰ্শকসকলে প্ৰহসনটোৰ পাচৰ ভোৰালৈ যদি ধৈৰ্য্য ধৰি অপেক্ষা কৰি থাকিব পাৰিলেহেঁতেন তেন্তে তেওঁলোকৰ মনৰ গতি এনেকুৱা হৈ নুঠিলহেঁতেন। যি হওক যোৰহাটৰ আদৰ-অভ্যৰ্থনা আমোদ-আহ্লাদৰ অন্ত সেই ৰাতিয়েই পৰিল আৰু পিছ দিনা পুৱাই মোৰ ল'ৰাকালৰ পৰা অন্তৰঙ্গ বন্ধু ৰায় বাহাদুৰ শ্ৰীযুত কৃষ্ণকুমাৰ বৰুৱা ডাঙৰীয়াৰ ঘৰত অতি আনন্দৰে জা-জলপান খাই আমি শিৱসাগৰলৈ উৰ্দ্ধশ্বাসে গলোঁহক।

এইখিনিতে কওঁ যে গোলাঘাটত যদিও আমি ২৪ ঘণ্টাহে আছিলোঁ, তাৰ ভদ্ৰলোক, ভদ্ৰমহিলা আৰু ছাত্ৰসকলৰ আতিথ্য আৰু সমাদৰ আমি পাহৰিব নোৱাৰোঁ। আমি গোলাঘাট পোৱা দিনাৰ ৰাতিয়েই ডেকাসকলৰ ৰঙ্গশালত 'নৰকাসুৰ' নাটৰ অভিনয় দেখিলোঁ আৰু পিছ দিনা আমি উভতি যোৰহাটলৈ বুলি মটৰগাড়ীত উঠোঁতেকে তেওঁলোকৰ মৰম শ্ৰদ্ধা আৰু সমাদৰ সাগৰত বুৰি আছিলোঁ। সেই স্মৃতি অতীৱ সুখকৰ। গোলাঘাটত মোৰ মাতৃদেৱীৰ তিৰোভাৱ। তাতে মোৰ অতি চেনেহৰ ককাইদেও শ্ৰীনাথ তেওঁৰ সহধৰ্ম্মিনী আৰু সন্তানেৰে সৈতে ইন্‌ফ্লুয়েঞ্জা ৰোগত পৰি অকালতে চুকায়। তাতে তেওঁৰ সুকীৰ্ত্তি "শ্ৰীনাথ বেজবৰুৱা স্কুল" স্থাপিত আৰু তেওঁৰ সৌম্যদৰ্শন পুতেক শ্ৰীমান কৃষ্ণনাথৰ দ্বাৰাই পৰিচালিত হৈ আছে। তাতে মোৰ জ্যেষ্ঠ সহোদৰ গোবিন্দ বেজবৰুৱাই প্ৰথমতে ডাঙৰকৈ স্কুল পাতে। ইত্যাদি কাৰণত গোলাঘাট মোৰ পক্ষে তীৰ্থস্থান বুলিলেই হয়। অতি সন্তোষৰ কথা যে গোলাঘাটবাসীৰ ডেকাসকলৰ যত্নত আগৰ হাবি-বননিৰে গোৰ্কাট যেন দেখা গোলাঘাট আজি সুন্দৰ চহৰ হৈ পৰিছে। সঁচাকৈয়ে গোলাঘাটৰ শ্ৰীবৃদ্ধি দেখি মোৰ বৰ সন্তোষ আৰু সন্তোষৰ কথা যে গোলাঘাটতো ভদ্ৰমহিলাসকল ডিব্ৰুগড়ীয়া ভদ্ৰমহিলাসকলৰ দৰে Progressive অৰ্থাৎ ক্ৰমশঃ অগ্ৰগামী। *

সপ্তম অধ্যা

বাইশ অক্টোবৰৰ দিনা যোৰহাটৰ পৰা উৰ্ভাং গৈ আকৌ শিৱসাগৰৰ ডাকবঙলাত ঠাই ললোঁগৈ। দেখিলোঁ ডাকবঙলাৰ ভাল খোঁটালি দুটা কোনোবা দুজনৰ অধিকাৰভুক্ত হৈ আছে। খান্‌ছামাক সুধিলোঁ, সেই খোটালি দুটাত কোন আছে? খামছামাটো অসমীয়া। সি এজনৰ নাম ক'লে "—অৰ ডাক্তৰ,"। আঁচ মাৰি লুপ্ত কৰি দিয়া অসমীয়া শব্দটোৰ ইংৰাজী প্ৰতিশব্দটো Insect। অৱশ্যে এই ইংৰাজী শব্দটোৰ অসমীয়া অনুবাদটোহে সি ব্যৱহাৰ কৰিছিল যাক মই অসম এৰি আহিবৰে পৰা আজি দুকুৰি বছৰ শুনা নাছিলোঁ, মাথোন হেমকোষতহে নিবাস কৰা দেখিছিলোঁ। হঠাৎ আজি মই সেই শব্দটো ডাকবঙলাৰ লগুৱাৰ মুখত ওলোৱা শুনি স্তম্ভিত হ'লোঁ। ভাবিলোঁ, সি সেই ভদ্ৰলোকজনক উপলুঙা কৰি তেনেকৈ কৈছে নে কি? তাৰ পিছত তাক ভালকৈ সেই মানুহজনৰ কামকাজৰ আঁতিগুৰি সুধিহে বুজিব পাৰিলোঁ, সি কি কৈছে। যি হওক, এই প্ৰবন্ধ পঢ়োঁতাসকলে মোৰ এইষাৰ শ্লীলতাবৰ্জ্জিত কথাৰ ইঙ্গিতৰ নিমিত্তে মোক ক্ষমা কৰিব। সত্য ঘটনা লিপিবদ্ধ কৰিবলৈ গৈহে মই এই ফেচাজগৰ লগাইছোঁ। "ইঙ্গিতং হৃদগতো ভাবো বহিৰা কাৰ আকৃতিঃ" যদিও সি মোৰ আচল হৃদগত ভাব নহয়।

আবেলি শিৱসাগৰৰ মহিলা সমিতিৰ সভালৈ যাবলৈ নিমন্ত্ৰন আছিল। তাৰ পিছত ছাত্ৰসকলৰ সভালৈ। সভা সমিতিয়ে মোক আমুৱাই পেলাইছিল। কিন্তু কি কৰোঁ;—মোৰ দেশৰ আই, বাই, ভনী, জী নাতিনীসকলৰ আহ্বান আৰু পঢ়াশালিৰ ছাত্ৰসকলৰ আমন্ত্ৰণ অগ্ৰাহ্য কৰাটো অসম্ভৱ। সভালৈ গৈ দেখিলো বিৰাট আয়োজন। সভাঘৰ সজাই পৰাই জমক-জমককৈ ৰখা হৈছে আৰু পুৰুষ মহিলাসকলেৰে সভাঘৰ ভৰি পৰিছে। যোৰহাটত মহিলা বিবৰ্জ্জিত পুৰুষৰ সভাৰ পিছত পুৰুষ-অবিবৰ্জ্জিত (যদিও পুৰুষৰ লেখ কম আছিল) এই মহিলাবিপুল সভাত বিৰাট সমাৰোহ দেখি সন্তোষ লভিলোঁ। স্নেহাস্পদ শ্ৰীযুত কুলধৰ চলিহা সভাপতিৰ আসনত। উমান পাই আহিছোঁ, তেওঁ আৰু তেওঁৰ সুযোগ্য ভ্ৰাতা শ্ৰীযুত পদ্মধৰ চলিহা সদায় মোৰ পক্ষপাতী। গতিকে সভাপতিৰ মুখৰ পৰা ওলোৱা মোৰ বিষয়ে যি কেইষাৰ মৰম সনা কথা শুনিলো, সেই কেইষাৰ গুণিলো আৰু কিজানি অতিৰঞ্জিতেই, ইয়াকে ভাবি পাহৰিব খুজিও পাহৰিব নোৱাৰিলো। যি হওক; যি হওক, কিন্তু মোৰ মৰমৰ শিৱসাগৰৰ আইসকলৰ অভ্যাৰ্থনা অভিনন্দন আদি আজি মই ক'ত লওঁ ক'ত থওঁ? তেওঁলোকে আগ্ৰহ কৰি দিয়া অভিনন্দনপত্ৰৰ উত্তৰ স্বৰূপে আষাৰচেৰেক কিবাকিবি ক'লোঁ। কলোঁ নুবুলি, লেৰ্‌লেবালোঁ বুলিয়েই কিজানি ঠিক হয়। সম্ভৱতঃ মোৰ কথাবোৰে তেওঁলোকক আমনি লগাইছিল। যি হওক শিৱসাগৰীয়া আইসকলে জানি থব যে তেওঁলোকৰ আদৰ অভ্যাৰ্থনাত মই ইমান অভিভূত হৈ পৰিছিলোঁ যে বুঢ়া চকুযোৰ খৰালি চেঁচেঁৰা পৰা সুঁতিৰ নিচিনা দেখিহে, নতুবা তাৰ পৰা আনন্দাশ্ৰুৰ ধল বৈ অহা তেওঁলোকে দেখিলেহেঁতেন। সভাত সৰু ল ৰা-ছোৱালীৰ অভিনয়, আচল অসমীয়া সুৰেৰে ছোৱালীবিলাকৰ নাম, সঙ্গীত যি হৈছিল, সেইবোৰেও মোক নথৈ সন্তোষ দিছিল। শিক্ষিতা কম বয়সীয়া মহিলা এজনাই সুন্দৰ কবিতা এটি ৰচনা কৰি, ভালকৈ লেখি, লেখাখনত আজিকালি ৰঙোৱা ছবিৰ দৰে কাচ আৰু বাও দি, পঢ়ি, মোক উপহাৰ দিছিল। সেই মহিলা-জনীয়ে আগৰ সভা এখনতো তেনেকৈয়ে তেওঁৰ ৰচিত কবিতা এটি মোক দিছিল। দুইটি কবিতাৰ ৰচনা সুন্দৰ। অসমীয়া কম বয়সীয়া মহিলা এজনাই এনে কবিতা ৰচনা কৰিব পৰা ক্ষমতা দেখি মই সন্তোষ পাইছিলো। দুইটি কবিতা আদৰেৰে মই মোৰ ঘৰৰ বেৰত আঁৰি থৈছোঁ। মহিলাজনাৰ নাম শ্ৰীমতী গোলাপলতা দাসী আৰু তেওঁ মহিলা সমিতিৰ সভা।

---

* বাঁহী—২০শ বছৰ, ২য় সংখ্যা, ১৮৫৩ শক : অ-হা

মহিলাসকলৰ সভা ভঙ্গ হোৱাৰ পিছত তাতে ছাত্ৰসকলৰ সভা বহিল। জয়মতী নাটৰ পৰা দুটা এটা দৃশ্যৰ অভিনয়, বেৰিষ্টাৰ তাৰাপ্ৰসাদ চলিহাৰ ঘৰৰ সৰু ল'ৰাটিয়ে সুস্বৰেৰে গোৱা বৰগীত ইত্যাদিৰে সেই সভা মনোৰম হৈ পৰিছিল। তেওঁলোকৰ অভিনন্দন পত্ৰৰ উত্তৰতো মই আষাৰ চেৰেক ক'বলগীয়াত পৰিছিলো। মোৰ দেশৰ আশাৰ স্থল উঠি অহা ছাত্ৰসকলৰ মঙ্গলৰ নিমিত্তে ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰি শিৱসাগৰৰ আনন্দ-উৎসৱৰ সমাপতিত উপস্থিত হ'লোঁ। পিছদিনা আবেলি মটৰেৰেই আমি ডিব্ৰুগৈ উভতি গুচি আহিলোঁ।

চৌব্বিশ আৰু পঁচিশ অক্টোবৰ ডিব্ৰুগড়তে কটাই, চাব্বিশ অক্টোবৰত পুৱাই, তিনিচুকীয়াৰ ৰাইজৰ নিমন্ত্ৰণ ৰক্ষা কৰিবৰ নিমিত্তে তিনিচুকীয়ালৈ গ'লোঁ। তিনিচুকীয়াত শ্ৰীযুত সোমেশ্বৰ বৰুৱাকে প্ৰমুখ্য কৰি গণ্যমান্য ভদ্ৰলোকসকলৰ সমাদৰ লভি অবেলি বেলিকা মোৰ পৰম বন্ধু শ্ৰদ্ধাস্পদ শ্ৰীযুত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াৰ সভাপতিত্বত, পুৰুষ আৰু মহিলাৰ সন্মিলিত সভাত উপস্থিত হৈ, ডেকা সকলৰ অভিনয় আৰু সৰু সৰু ছোৱালীবোৰৰ সঙ্গীত আৰু অভিবাদন, মহিলা আৰু পুৰুষসকলৰ স্বকীয়া স্বকীয়া অভিনন্দন-পত্ৰ গ্ৰহণ কৰি সকলোকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰি সেই ৰাতিয়েই ডিব্ৰুগড়লৈ উভতি আহিলোঁ। তিনিচুকীয়াৰ সেই সভাৰ ৰঙ্গমঞ্চত ডেকাজনচেৰেকে জয়মতী নাটৰ পৰা দুটা দৃশ্য এনেকৈ অভিনয় কৰি দেখুৱাইছিল যে তাৰ তেনে সৰ্ব্বাঙ্গসুন্দৰ অভিনয় মই আগেয়ে ক'তো দেখা নাছিলোঁ। অতি হৰ্ষচিত্তেৰে মই তেওঁলোকৰ সেই সুন্দৰ অভিনয় উপভোগ কৰিলোঁ।

সাতাইশ অক্টোবৰত ডিব্ৰুগড়ীয়া বন্ধু-বান্ধৱসকলৰ পৰা বেজাৰ মনেৰে বিদায় লৈ, ৰাতি ৰেলত উঠি গুৱাহাটীৰ ফালে যাত্ৰা কৰিলোঁ। আঠাইশ অক্টোবৰ সন্ধ্যা বেলিকা গুৱাহাটী পাই, আকৌ আৰ্লল কলেজৰ প্ৰিঞ্চিপেল স্নেহাস্পদ জ্ঞানদাভিৰাম বৰুৱাৰ ঘৰত আলহী হ'লোঁ। যোৱা দৌৰৰ ঘূৰণীয়া চকৰৰ ঘ'ৰ পৰা ছুটি মেলিছিলোঁ, আকৌ সেইখিনিকে পালোহি। "জ্ঞান বোপা" আৰু "মাজিৰে" ভাগৰি অহা যে ৰাক "ঠাণ্ডা কৰি" টহলাই আনি যতন কৰি "দানা-পানী" খাবলৈ দিলে। আকৌ গুৱাহাটীত সভা সমিতিৰ উদ্যোগ হ'ল। ২৯ তাৰিখে আৰ্লল-কলেজৰ ছাত্ৰসকলে আড়ম্বৰ কৰি সভা পাতি এই লেখকক অভিনন্দন-পত্ৰ প্ৰদান কৰি সন্মানিত কৰিলে। সেই সভাৰ সভাপতি হৈছিল মোৰ পুৰণি বন্ধু শ্ৰদ্ধাস্পদ মন্ত্ৰী ৰায় বাহাদুৰ শ্ৰীযুত কনকলাল বৰুৱা ডাঙৰীয়া। নগৰৰ অনেক গণ্যমান্য মানুহ সভাত উপস্থিত আছিল। কিন্তু হায়! মোৰ "মিতা" শ্ৰদ্ধাস্পদ লক্ষ্মীপ্ৰসাদ বৰুৱা বিশিষ্ট বন্ধু প্ৰত্নতত্ত্বজ্ঞ পণ্ডিত হেমচন্দ্ৰ গোসাঁই, অমায়িক মিষ্টভাষী সুবিখ্যাত সাহিত্যিক সত্যনাথ বৰা ক'ত! আজি যাক সমাদৰ দেখুৱাবৰ অৰ্থে গুৱাহাটীত সভা বহিছে, তেওঁলোক এই পুৰীত থকাহেঁতেন নিশ্চয় বিশিষ্ট সমজুৱাসকলৰ ভিতৰত তেওঁলোকৰ প্ৰসন্ন মুখ তেওঁ দেখিবলৈ পালেহেঁতেন। সভাত অসমীয়া সঙ্গীত, বৰগীত, আবৃত্তি, বক্তৃতা প্ৰভৃতি যথাৰীতি চলি সকলোৰে আনন্দ বৰ্দ্ধন কৰিছিল। কনকলাল বৰুৱা ডাঙৰীয়াৰ সুন্দৰ সাৰুৱা বক্তৃতাই সকলোকে সন্তোষ প্ৰদান কৰিছিল। উত্তৰত মই অনেক বছৰৰ মূৰত মোৰ মাতৃভূমি অসম দেখি, নানা বিষয়ত মোৰ কেনে লাগিছিল, তাৰ বিষয়ে অলপ অচৰপকৈ সভাৰ উদ্যোগীসকললৈ শলাগৰ শৰাই আগবঢ়াই সেই দিনাৰ কাৰ্য্য সুসাঙ্গ কৰিলোঁ।

পিছদিনা ৩০ অক্টোবৰ তাৰিখে মোৰ কলিকতালৈ উভতি যাবৰ কথা। পুৱা আৰ্লল-কলেজৰ ছাত্ৰসকলে আমাৰ ছবি তুলিলে। সুন্দৰ পাতি থকা ছবি। গুৱাহাটীৰ গৱৰ্ণমেণ্ট স্কুলৰ ছাত্ৰসকলৰ বিশেষ অনুৰোধত আবেলি তেওঁলোকৰ সভালৈ গ'লো। ছাত্ৰ আৰু শিক্ষকসকলৰ আদৰ অভ্যৰ্থনাত বিশেষ সন্তোষ লাভ কৰি, তেওঁলোকক মোৰ শলাগ জনাই, বক্তৃতাৰ গতিেৰে আষাৰচেৰেক কৈ, তেওঁলোকৰ ওচৰত মেলানি মাগি থকা ঠাইলৈ উভতি আহি অলপ আহাৰ কৰি, মটৰেৰে পাণ্ডুলৈ গৈ, পাৰ হৈ ৰেলত উঠিলোগৈ। মোৰ মনত এটি বিষাদ ৰ'ল। সোণাৰাম হাইস্কুলৰ ছাত্ৰ আৰু শিক্ষকসকলে বৰ আগ্ৰহ কৰি তালৈ যাবলৈ মোক মাতিছিল। কিন্তু সেইদিনাই ওপৰত কৈ অহা কাৰ্য্যবোৰ সমাপন কৰি উভতি যাবলৈ ৰেল ধৰিব লগীয়া হোৱাত সময়ৰ ৰাটনিত পৰি, তেওঁলোকক বিমুখ কৰিবলৈ বাধ্য হ'লো দেখি মই মনত নথৈ বেজাৰ পাইছিলোঁ। আশাকৰো মোৰ অৱস্থাটো বুজি তেওঁলোকে মোক ক্ষমা কৰিছে।

ছাত্ৰ সকলৰ সভাত এটি অতি কম বয়সীয়া লৰাই (শিশু বুলিলেই হয়) হাৰ্ম্মনিয়ামৰ সহায়ত সুন্দৰকৈ এটি গান গাইছিল। মই মুগ্ধ হৈ আসনৰ পৰা উঠি সভাতে লৰাটিৰ গালত এটি চুমা খালোগৈ। তাহানি কলিকতাত "মাষ্টৰ মদন" বোলা তেনেকুৱা গান গোৱা ল'ৰা এটিৰ গান শুনিছিলোঁ। আজি অসমীয়া "মাষ্টৰ মদনক" দেখি বৰ সন্তোষ পালোঁ।

মুঠতে এইবাৰ মাতৃমুখ দৰ্শন কৰি মোৰ অশেষ অপৰাধৰ নিমিত্তে মই মাতৃৰ চৰণত পৰি ক্ষমা মাগি, তেওঁৰ আশীৰ্ব্বাদ শিৰত লৈ, কিছুকালৰ নিমিত্তে আকৌ মাতৃভূমি পৰিত্যাগ কৰি, বিদেশত থকা মোৰ কাৰ্য্যক্ষেত্ৰলৈ উভতিলোঁ। ভালেখিনি পৰলৈকে ৰেলগাড়ীত মোৰ মনটো বিষাদৰ ভাৰেৰে ওন্দোলাই থৈছিল।

উছর্গা

পৰম পূজনীয়া আই,

শ্ৰীমতী ঠানেশ্বৰী দেৱীৰ *কৰ কমলত পৰম পূজনীয় পিতৃ দেৱতাৰ এই সংক্ষিপ্ত জীৱন-চৰিত অৰ্পণ কৰিলোঁ।

শ্ৰীলক্ষ্মীনাথ।

* "অনন্ত কন্দলি যবে যাৰ জন্ম ভৈল।
তং ৰৰপূজাৰি তাহাৰ নাম বৈল॥
পৰম বিশিষ্ট বিপ্ৰ গুণে অতিশয়।
তান সুতা ঠানেশ্বৰী বিবাহিলোঁ মই॥"

ডাঙৰীয়া ৺দীননাথ বেজবৰুৱা ৰচিত "বেজবৰুৱা বংশাৱলী।"

পাতনি :— এই পুথিত এখনি মহাপুৰুষ শঙ্কৰদেৱৰ জীৱন-চৰিত্ৰ বুলিকৈ লেখিবলৈ যোৱা নাই শঙ্কৰদেৱৰ জীৱন চৰিত্ৰ পুথি কেইবাখনো আছে, সেইবোৰৰ দ্বাৰাই সেই কাৰ্য্য সাধিত হৈছে। আমাৰ ঘাই । অভিপ্ৰায়,—শঙ্কৰদেৱৰ জীৱনৰ কিছুমান কথা আলচ কৰি মুকলি কৰিবৰ চেষ্টা কৰা ; আৰু তেওঁৰ অমূল্য গ্ৰন্থবোৰত থকা ৰচনাৰ সৌন্দৰ্য্য, ওখ প্ৰাণোপদেশ আৰু শিক্ষা আদিলৈ আঙুলিয়াই দি, পাৰিলে সেইবোৰলৈ লোকৰ মনযোগ আকৰ্ষণ কৰা। অৱশ্যে এখনি শঙ্কৰদেৱবিৰচিত আটাইবোৰ পুথিৰ আলচ এই গ্ৰন্থত কৰিব পৰা নাই ; কাৰণ এনেকুৱা সৰু এখনত সেই কাম কৰিবলৈ গ'লে ঠিক ভুক্কাত হাতী ভৰাবলৈ যোৱা যেন হয়।

এই পুথিত দিয়া দুটা এটা কথাত আমি আমাৰ শ্ৰদ্ধাস্পদ বন্ধু শ্ৰীযুত কনকলাল বৰুৱাৰ পৰা সহায় পোৱা বাবে তেওঁৰ ওচৰত আমাৰ কৃতজ্ঞতা জনালোঁ।

"হাওড়া নবেলচ্।"
শাওণ ।১৮৩৩ শক ।১৯১১ খৃষ্টাব্দ।

গ্ৰন্থকাৰ

শ্ৰীশ্ৰীশংকৰদেৱ

কোন দূৰ অতীতৰ ধ্যানমগ্ন যোগী তুমি
তৱ পুণ্য কিৰণেৰে কৰিলা পবিত্ৰ ভূমি ?
নীৰৱে বজাই বাণ কোন কবি কাননত
স্বৰ্গৰ বাতৰি আনি দিলা দেৱ মৰতত ?
মধুৰ ঝঙ্কাৰ তাৰ গভীৰ উদাৰ সুৰে
আজিও উঠিছে বাজি অসমৰ ঘৰে ঘৰে।
যি বীণাৰ সুৰেৰেই প্ৰেমমন্দাকিনী ধাৰা
অসীম সাধনা বলে নমালা স্বৰ্গৰ পৰা।
বোৱালা ভক্তিৰ সোঁত দিলা ধৰ্ম্ম দিলা জ্ঞান
দিলা ভাষা অসমক কৰিলা জীৱন দান।
তোমাৰ জীৱনী দেৱ লিখে এনে সাধ্য কাৰ,—
গোটেই অসম ভূমি বিস্তৃত জীৱনী যাৰ।
অসমৰ ৰীতি নীতি অসমৰ সদাচাৰ
অসমৰ ধৰ্ম্মভাৱ অসমৰ ব্যৱহাৰ—
সকলোকে তুমি দেৱ সজালা নতুন সাজে
তোমাৰ গৰিমা গীতি হৃদয়ে হৃদয়ে বাজে।
তোমাৰ নামৰ ধ্বনি গাঁৱে গাঁৱে সবাহত
উঠিছে আকাশ ভেদি কীৰ্ত্তনৰ প্ৰসঙ্গত।
"শঙ্কৰ আমাৰ গুৰু" উলাহতে গাই গান
দিয়ে আহি বিহুৱানে নৱ যৰযৰ জান।
তোমাৰ গীতকে শুনোঁ হাবি বন পথাৰত
মানুহৰ মুখে মুখে সকলোৰে অন্তৰত।
কুলু কুলু কুলু সুৰে কাষৰ তটিনী খনি
জগতত প্ৰচাৰিছে তোমাৰ মহিমা বাণী
তাৰ প্ৰতিধ্বনি উঠি পৰ্ব্বতে কন্দৰে গৈ
ৰভাহে সাৰাটি তাকে ৰাখে চিৰকালেই।
বেদ উপনিষদৰ বাছি বাছি ফুল তুলি
কত যতনেৰে দেৱ গাঁথিলা ই মালা খনি।
ক্ষুদ্ৰ স্বাৰ্থ ভিন্ ভাৱ আঁতৰাই সৰু বৰ
পিন্ধালা ধৰ্ম্মৰ মালা সকলোকে আদৰৰ।
জগত মুকলি হ'ল, হৃদয় মুৰলি পাই
তোমাৰ নিচান লৈ উলাহতে আগুৱাই।
হেলাৰঙে সমাপিলে যত কাম জীৱনৰ
লভিলে অনন্ত সুখ চিৰ শান্তি কি সুন্দৰ।
জ্ঞানী ভক্ত কৰ্ম্মবীৰ অসমৰ ৰত্ন তুমি
অশেষ ৰতনে দেৱ সজালা জনম ভূমি।
তোমাৰ সাজকে পিন্ধি জননীয়ে উলাহত
নিজকে চিনাকী দিয়ে হাঁহি হাঁহি জগতত।
তোমাৰ বলতে আজি হৈ আজি বলীয়ান
উন্নতি বাটত হওঁ ধীৰে ধীৰে আগুৱান।
আকাশী নিজৰ দৰে তোমাৰ আশীষ বাণী
মৰুময় সংসাৰত বিতৰক শান্তি পানী।
তোমাৰ কৰুণাকণা পৰে যেন জীৱনত
ভক্তিৰ আঁজলি দিওঁ সাদৰেৰে চৰণত।
নাই মোৰ সাতশৰি গজ মুকুতাৰ হাৰ
নাই মোৰ চিক্ মিক্ হীৰা বছা অলঙ্কাৰ।
ভগা বীণা খনি মোৰ নোৱাৰো তুলিব তান
নোৱাৰোঁ মধুৰ সুৰে ৰচিব নতুন গান।
কিহেৰে পূজিম দেৱ আজি এই শুভ দিনে ?
ভাবতে বিভোৰ হই নিৰাশ আকুল মনে—
আনিলোঁ বনৰ ফুল বনে বনে ফুৰি ফুৰি
কপাহী সূতাৰে দেৱ গাঁথিলোঁ ই মালা খনি
চকুলো সবল মোৰ ক্ষুদ্ৰ এই অভাগাৰ
লোৱা দেৱ লোৱা আজি হৃদয়ৰ উপহাৰ।

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা।

প্ৰথম অধ্যায়

শঙ্কৰদেৱৰ অসমত বিখ্যাত বাৰভূঞাসকলৰ ভিতৰৰ শিৰোমণি ভূঞা চণ্ডীবৰৰ নাতিৰ নাতি আছিল। অসমত বাৰভূঞাসকলৰ উৎপত্তিৰ বিষয়ে কেইবাটাও মত আছে। আহোমবিলাক অসমত সোমোৱা কালত ভূঞাসকলে ব্ৰহ্মপুত্ৰ নৈৰ উত্তৰ ফালে আৰু ছুটীয়া ৰাজ্যৰ পূবত ৰাজত্ব কৰিছিল। এটা মত এই,—আৰিমত্ত ৰজাৰ পিছত তেওঁৰ মন্ত্ৰী সমুদ্ৰই আৰিমত্তৰ পুতেক বত্নসিংহক ৰাজ্যৰপৰা খেদি দি নিজে ৰাজপাটত উঠিছিল। আৰিমত্ত সূৰ্য্যবংশী ক্ষত্ৰিয় ধৰ্ম্মপালে সংস্থাপন কৰা ৰাজ্যৰ শেষ ৰজা ৰামচন্দ্ৰৰ ৰাণীৰ গৰ্ভত হোৱা সন্তান। এই আৰিমত্তই বাপেক ৰামচন্দ্ৰক নাজানি বধ কৰিছিল। আৰিমত্তৰ ৰাজধানী নামৰূপৰ বেতনাৰ ওচৰৰ বৈদ্যৰ গড়ত আছিল। কমতাপুৰৰ ৰজাৰ বংশৰ ফেঙুৱা নামে ৰজা এজনে আৰিমত্তক আক্ৰমণ কৰি হাৰি প্ৰাণ হেৰুৱাৱ। আৰিমত্তৰ পুতেক বত্নসিংহকে তেওঁৰ বাপেকৰ কালৰ মন্ত্ৰী সমুদ্ৰই খেদাই দি নিজে ৰজা হয়। সমুদ্ৰৰ পিছত সমুদ্ৰৰ পুতেক মনোহৰ ৰজা হয়। এনে প্ৰবাদ আছে যে, মনোহৰৰ স্ত্ৰীয়েক লক্ষ্মীৰ গৰ্ভত সূৰ্য্যদেৱৰ ঔৰষত দুটি লৰাৰ জন্ম হয়, এটিৰ নাম সান্তনু, আনটিৰ নাম সামন্ত। সান্তনু বৈষ্ণৱ আৰু সামন্ত শাক্ত হ'ল। সান্তনুৱে বেলেগ হৈ সপৰিবাৰে গৈ নগাৱঁৰ ৰামপুৰ বোলা ঠাইত বসতি কৰিলে; আৰু সামন্ত লক্ষ্মীপুৰতে (আজি কালি যাক লখীমপুৰ বোলে) থাকিল। সামন্তৰ পিছত তেওঁৰ পুত্ৰসকলে তাতে ৰাজত্ব কৰি আছিল, আৰু মধ্য-অসমত ৰাজত্ব কৰি থকা কছাৰী ৰজাই আৰু সদিয়াৰ ছুটীয়া ৰজাই তেওঁলোকৰ স্বাধীনতাত হাত দিব নোৱাৰিছিল। কিন্তু পিছত আহোম ৰজাৰ হাতত তেওঁলোক হাৰি ৰাজ্য হেৰুৱায়। ৰাজধৰ নামে সান্তনুৰ সন্তান এজনে নগাৱঁৰ বৰদোৱাত বসতি কৰে। এই ৰাজধৰেই আমাৰ শঙ্কৰদেৱৰ পিতৃ কুসুমবৰৰ ককাক।

গুৰুচৰিত্ৰ পুথিত শঙ্কৰ বংশীয় ভূঞাসকলৰ বিষয়ে যি আছে তাকে ঠিক বুলি ধৰিব পাৰি। যথা, দুৰ্লভনাৰায়ণ নামে কমতাপুৰৰ ৰজা এজনেৰে সৈতে ধৰ্ম্মনাৰায়ণ নামে গৌড়ৰ ৰজা এজনৰ ৰণ লাগে। উভয়ে বল-বীৰ্য্যত সমকক্ষ হোৱাত কোনোৱে কাকো বলে নোৱাৰি শেহত মিত্ৰতা কৰে। তাৰ পিছত কমতাপুৰৰ ৰজাই গৌড়ৰ ৰজাক ক'লে "মোৰ দেশত উচ্চজাতীয় লোক নাই। মোক কেইজনমান উত্তম ব্ৰাহ্মণ আৰু কায়স্থ লোক দিলে ভাল হয়।" গৌড়েশ্বৰে সেই কথাত সম্মতি প্ৰকাশ কৰি কনৌজৰপৰা অনাই কৃষ্ণ পণ্ডিত প্ৰমুখ্যে সাত ঘৰ ব্ৰাহ্মণ আৰু চণ্ডীবৰ প্ৰমুখ্যে সাত ঘৰ কায়স্থ কমতেশ্বৰক দিলে। ব্ৰাহ্মণ কেইজনৰ নাম,—কৃষ্ণ পণ্ডিত, ৰঘুপতি, ৰামবৰ, লোহাৰ, বৰণ, ধৰম, মথুৰা। কায়স্থ কেইজনৰ নাম,—চণ্ডীবৰ, শ্ৰীধৰ, হৰি, শ্ৰীহৰি, শ্ৰীপতি, চিদানন্দ, সদানন্দ। কমতেশ্বৰে এই চৌদ্ধ ঘৰ ব্ৰাহ্মণ কায়স্থ অনাই, প্ৰথমতে তেওঁলোকক লেঙামাগুৰি নামে ঠাইত থাকিবলৈ দিছিল। চণ্ডীবৰ তাতে কিছুদিন থাকি পলাই গ'লত, গৌড়েশ্বৰে জানিব পাৰি তেওঁক ধৰাই বন্দী কৰি আকৌ কমতেশ্বৰৰ ওচৰলৈ পঠিয়াই দিলে, আৰু কমতেশ্বৰে চণ্ডীবৰক সেই দোষত পোতাশালত বন্দী কৰি থৈ দিলে। কিছু কালৰ মূৰত কমতেশ্বৰৰ নগৰলৈ এজন পণ্ডিত বাদ কৰিবলৈ আহিলত, সেই পণ্ডিতেৰে সৈতে সমানে বাদ কৰিব পৰা কোনো পণ্ডিত ৰজাৰ ৰাজ্যত নথকাত, ৰজাই চণ্ডীবৰক বন্দীশালৰপৰা মোকোলাই আনি পণ্ডিতেৰে সৈতে বাদ কৰিবলৈ দিলত, চণ্ডীবৰে বাদত পণ্ডিতক হৰুৱালে। এই কাৰ্য্যত ৰজাই বৰ সন্তুষ্ট হৈ চণ্ডীবৰক আদৰ সন্মান কৰি তেওঁৰ চণ্ডীবৰ নাম সলাই দেবীদাস নাম আৰু ধন-বস্তু মাটি-বাৰী দি শিৰোমণি ভূঞা পাতি ৰাখিলে। তেওঁ লেঙামাগুৰিত কিছুদিন থাকি তাৰপৰা উজাই আহি টেমুৱানি বৰদোৱাত ঘৰবাৰী পাতি ৰ'লগৈ। * দ্বিতীয়ভাগ "জোনাকী"ত (শঁক ১৮১১-১২) শঙ্কৰদেৱ প্ৰবন্ধত এই বৃত্তান্ত এইদৰে লেখিছে :—

"ভাৰতবৰ্ষত মুচলমান জাতিৰ অধিকাৰ হ'লত যেতিয়া ১৩ শতাব্দীত তেওঁলোকে এহাতে শাণিত তৰোৱাল আন হাতে ইছলাম ধৰ্ম্মৰ মূল কোৰাণ পুথি লৈ অধিকৃত প্ৰদেশৰ মানুহ বিলাকক সেই বস্তু দুটি বাচি লবলৈ কবে, সেই সময়ত কান্যকুব্জ নগৰৰ অনেক ধৰ্ম্মপৰায়ণ হিন্দুৱে ধৰ্ম্ম আৰু প্ৰাণ লোপৰ

---

* "লণ্ডাদেৱ নামে একজন আছিলন্ত। চণ্ডিবৰ নামে তান তনয় ভৈলন্ত ॥
চণ্ডিবৰে ৰাজ সেৱা বিস্তৰ কৰিল। দুৰ্লভনাৰায়ণে দেৱিদাস নাম দিল ॥
দেৱিদাসে বসাইলন্ত টেমুৱানি বন্ধে। বৰদোৱা নামে গ্ৰাম পৰম প্ৰবন্ধে ॥
কৰা সেৱা দুৰ্লভনাৰায়ণ নৃপতিৰ। দাতা ভোক্তা জ্ঞাতা বীৰ গহীন গম্ভীৰ ॥
হেনয় পণ্ডিত দেৱীদাস আছিলন্ত। ৰাজধৰ নাম তান তনয় ভৈলন্ত ॥
দানী মানী গুণৱন্ত শান্ত গুভৱৰ। ভৈল তিনিজন জানা তাহান তনয় ॥
সূৰ্য্যবৰ জয়ন্ত মাধৱদলৈ নাম। তিনিয়ো পণ্ডিত গুণৱন্ত অনুপাম ॥
সূৰ্য্যবৰ পুত্ৰ ভৈল কুসুম নামত।— সেহি বেলা কুসুমৰ পুত্ৰ উপজিল ॥—
শঙ্কৰৰ ঘৰত পুত্ৰক লভিলন্ত। এতেকে শঙ্কৰৰ নামক থৈলন্ত ॥"— দৈত্যাৰি।

ভাৰত দেশ এৰি পৰ্ব্বতে হাবিয়ে অশেষ দুখ সহি লুকাই ফুৰিছিল। এই লোক সকলৰ মাজত শঙ্কৰদেৱৰ উপৰি বংশধৰ লণ্ডাদেৱ গিৰি আৰু তেওঁৰ পুতেক চণ্ডীবৰ গিৰি আছিল। এওঁলোক দুজন মুচলমানৰ উপদ্ৰৱত বহুদিন পৰ্ব্বতে হাবিয়ে লুকাই ফুৰি অৱশেষত কান্যকুব্জ নগৰলৈ যোৱা নিৰাপদ নহয় জানি বঙ্গদেশৰ উত্তৰ অঞ্চলৰ গৌড় নামে এক নগৰত আহি বাস কৰে। এই সময়ত এই গৌড় নগৰত ৰজা ধৰ্ম্মনাৰায়ণ আছিল। লণ্ডাদেৱ আৰু চণ্ডীবৰ বুদ্ধিমান পণ্ডিত আৰু পৰাক্ৰমী থকাত ৰজাৰ প্ৰিয়পাত্ৰ হৈ উঠে। চণ্ডীবৰ ৰজাৰ দেৱান হয়। গৌড় ৰাজ্যত এওঁলোকে সুখ, শান্তি, ধন, সম্ভ্ৰম লাভ কৰি অনেক দিন আছিল, কিন্তু অসমৰ সৌভাগ্যৰ নিমিত্তে তেওঁলোকৰ বাসস্থান গৌড় নগৰৰপৰা আঁতৰিল। গৌড় ৰাজ্যৰ লগত কমতা ৰাজ্যৰ সন্ধি থকাত দুয়ো ৰাজ্যৰ ৰজাৰ মিল আছিল। কমতাৰ ৰজা দুৰ্লভনাৰায়ণে তেওঁৰ ৰাজ্য বহু দূৰলৈ ব্যাপি পৰাত তাক শাসন কৰিবলৈ ঠায়ে ঠায়ে উপযুক্ত মানুহ নথকাত আৰু ৰাজ্যত ধৰ্ম্ম-পৰায়ণ, জ্ঞানী, সমাজ চলোৱা মানুহৰ সংখ্যা নীচেই তাকৰ থকাত সাতজন ব্ৰাহ্মণ আৰু সাতজন কায়স্থ কমতাৰ ৰাজ্যলৈ পঠাবলৈ গৌড়ৰ ৰজাক অনুৰোধ কৰে। ধৰ্ম্মনাৰায়ণে মিত্ৰৰ অনুৰোধ মতে সাত ঘৰ ব্ৰাহ্মণ আৰু সাত ঘৰ কায়স্থ কমতা ৰাজ্যলৈ পঠায়। এই কায়স্থ সাত ঘৰৰ ভিতৰত লণ্ডাদেৱ আৰু চণ্ডীবৰো এঘৰ আছিল। এওঁলোকে কামৰূপ জিলাৰ বৰ নদীৰ ওচৰত থকা লেঙ্গামাগুড়ি নামে গাৱঁত বাস স্থাপন কৰে। তেওঁলোকৰ কুল-পুৰোহিত কৃষ্ণ পণ্ডিতো এই ঠাইতে থাকে। চণ্ডীবৰ ইমান কাৰ্য্যক্ষম আছিল যে কমতেশ্বৰে দেৱান আৰু মন্ত্ৰণা কাৰ্য্যত মাজে-সময়ে তেওঁৰ সহায় লৈছিল। চণ্ডীবৰে বাৰভূঞাৰ শিৰোমণি ভূঞা হৈ শাসনকাৰ্য্য অতি সুন্দৰৰূপে চলাইছিল আৰু সেই অঞ্চলত ভোট আদি পৰ্ব্বতীয়া জাতিবিলাকৰ উপদ্ৰৱ বহু পৰিমাণে দমন কৰি শান্তি স্থাপন কৰিব পাৰিছিল। দুৰ্লভনাৰায়ণে এবাৰ চণ্ডীবৰক ধৰাই নিয়াই ৰাজ-ধানীৰ বন্দীশালত থয়। চৰিত্ৰ লেখকসকলে চণ্ডীবৰক বন্দীশালত থোৱাৰ কাৰণ দুটি নিৰ্দ্দেশ কৰিছে। প্ৰথম,—চণ্ডীবৰ লেঙ্গামাগুড়িত থাকি বৰ প্ৰতাপশালী হৈ পৰিল; তেওঁ ৰজাৰ আজ্ঞাকো লঙ্ঘন কৰি নিজৰ মতে শাসন কৰিছিল, নিয়মমতে কৰ নপঠাইছিল আৰু ৰজাৰ দূতক বন্দী কৰি থৈছিল। এইবিলাক কাৰণত খঙ উঠি ৰজাই ফৌজ পঠাই চণ্ডীবৰক ধৰাই নি বন্দীশালত থোৱায়। আন কাৰণ,—যেতিয়া চণ্ডীবৰ কমতাৰ ৰাজ্যলৈ আহে সেই সময়ত ধৰ্ম্মনাৰায়ণ ৰজাই তেওঁক এৰি নিদিছিল। চণ্ডীবৰে প্ৰতি বছৰে এবাৰ গৌড় ৰাজ্যলৈ যাব বুলি অঙ্গীকাৰ কৰি কমতা ৰাজ্যলৈ আহে। সেই অঙ্গীকাৰ মতে চণ্ডীবৰ গৌড় ৰাজ্যলৈ প্ৰতি বছৰে এবাৰ গৈছিল। তাতে কমতাৰ ৰজাই চণ্ডীবৰক ঘনে ঘনে গৌড় ৰাজ্যলৈ যোৱা দেখি তেওঁৰ ৰাজ্য গৌড়ৰ ৰজাক দিয়াৰৰ চক্ৰান্ত পতাৰ সন্দেহ কৰি চণ্ডীবৰক বন্দী কৰি থয়। বন্দীশালত চণ্ডীবৰ এবছৰ থাকে। নবদ্বীপৰপৰা এজন পণ্ডিত বাদ কৰিবৰ নিমিত্তে কমতাপুৰলৈ আহে। সেই পণ্ডিতক চণ্ডীবৰে শাস্ত্ৰৰ তৰ্কত হৰুৱায়। ইয়াতে ৰজাই সন্তুষ্ট হৈ চণ্ডীবৰক মুক্তি দিয়ে; আৰু দেৱীদাস নাম দি বহুমূল্যৰ পুৰস্কাৰ দি ঘৰলৈ পঠায়। কিছু দিনৰ পাছত লণ্ডাদেৱ গিৰিৰ মৃত্যু হয় আৰু ৰাজধৰ নামে চণ্ডীবৰৰ এটি পুত্ৰ জন্মে। লেঙ্গামাগুড়িত কিছু অসুবিধা পাই চণ্ডীবৰ টেম্বুৱানিবন্ধা অঞ্চলৰ বৰদোৱা গাৱঁত আহি বাস কৰে। ৰাজধৰৰ চাৰিজন পুত্ৰ হয়—সূৰ্য্যবৰ, জয়ন্ত, মাধৱ আৰু হলায়ুধ। সূৰ্য্যবৰৰ এটি পুত্ৰ জন্মে, নাম কুসুম। এওঁৱেই মহাপুৰুষ শঙ্কৰদেৱৰ পিতৃদেৱ।"

"শঙ্কৰৰ ওপৰে চতুৰ্থ পুৰুষৰ নাম লণ্ডাদেৱ। তেৰ শতিকাত চাহাবুদ্দিনগৰীয়ে যেতিয়া দিল্লী আক্ৰমণ কৰে, তেতিয়া কনৌজ নগৰত চণ্ডীবৰ নামেৰে এজন ভূঞা বা গিৰী আছিল। আগৰ কালত যাৰে ভূমি আছিল তাকে ভূঞা বুলিছিল। পাছত ভূঞা মানে গিৰী অৰ্থ হল।...... দিল্লী জয় কৰি চাহাবুদ্দিনে কনৌজ আক্ৰমণ কৰে আৰু তেওঁ হিন্দু দেৱ-দেৱীৰ মূৰ্ত্তিবোৰ ভাঙি চিঙি হিন্দুধৰ্ম্ম-অৱলম্বীবিলাকক বহুত মানসিক আৰু শাৰীৰিক কষ্ট দিছিল। তেওঁৰ ভয়ত চণ্ডীবৰ আৰু তেওঁৰ লগত বহুত ব্ৰাহ্মণ কায়স্থ মানুহ হাবিলৈ পলাল। যেতিয়া যৱনে খেদি নি তেওঁবিলাকক ধৰো ধৰো হ'ল, তেতিয়া তেওঁবিলাকে ধন-সোণ এটা পুখুৰীত পেলাই নিজৰ দেহা আৰু আত্মাক মাথোন ৰক্ষা কৰিবলৈ বুলি কাঠনিত সোমাল। যৱনে তেওঁবিলাকৰ পিচ এৰিলত চণ্ডীবৰ আৰু লগতে জনচেৰেক হাবিৰপৰা ওলাই আহিল। ওলাই আহি সেই পুখুৰীত পেলোৱা এখন তামৰ ফলি বিচাৰিলে। এই তামৰ ফলিত তেওঁবিলাকৰ পূৰ্ব্ব পুৰুষসকলৰ নাম আৰু কোন ৰজাই কাক কিমান মৰ্য্যাদা দিছিল এইবিলাক লিখা আছিল। সেই গুণে চণ্ডীবৰে এই ফলিখন বিচাৰি আকৌ যৱনৰ হাতত পৰাৰ ভয় থকা সত্বেও আহিছিল।

"বহুত বেলি বিচৰাৰ পাচত তেওঁ দেখিলে এটা কাছই সেই ফলিখন মুখেৰে কামুৰি নি পাৰত তুলি থৈছে গৈ। তেতিয়াৰ পৰা হেনো চণ্ডীবৰৰ বংশই কাছ নাখাইছিল।...... বোধ হয় এই কাৰণেই বাডু-

তাগ্ৰাক্ষৰ বুলি পাচত প্ৰখ্যাত হৈছিল ।.... চণ্ডীবৰ আৰু তেওঁৰ লগৰীয়া বামুণ কায়স্থসকলে কলিখন নৈ পঞ্চগৌৰেশ্বৰৰ ওচৰ পালেগৈ । কলি দেখি ৰজাই তেওঁবিলাকক নিয়ম মতে মান-সৎকাৰ কৰি আশ্ৰয় দিলে । সেই সময়ত কৰতোৱা নৈকে সীমা কৰি পূবে কামৰূপ আৰু পচিমে গৌৰৰাজ্য হৈছিল । গৌৰৰ ৰাজধানী মালদাত আৰু কামৰূপৰ ৰাজধানী কমতাপুৰ কৰতোৱা নৈৰ পাৰত আছিল । ইমান আহল-বহল কামৰূপ ৰাজ্যৰ এমূৰে কমতাপুৰত ৰাজধানী হোৱাৰ কাৰণ, কামৰূপৰ সৰহভাগ অলাগতিয়াল বা গৰাবাদ পৰি আছিল ; কেৱল পশ্চিম-অংশতহে শাসন কাৰ্য্যৰ দায়িত্ব গধুৰ হৈছিল । এনে স্থলত সেই সময়ত বামুণ পণ্ডিত সকলেই আগৰণুৱা আছিল ;...... কিন্তু কমতাপুৰত এনেকুৱা বামুণ পণ্ডিতৰো অভাৱ কিছু আছিল ।.... ইত্যাদি কথা ভাবিলে, কমতেশ্বৰে গৌৰেশ্বৰক খুজি চৌদ্দঘৰ বামুণ আৰু কায়স্থ মানুহ আনি নিজৰ ৰাজ্যত বহুৱাচো সঁচা হ'ব পাৰে । গৌৰেশ্বৰে কিন্তু নিজৰ প্ৰজাৰ মৰম এৰিব নোৱাৰি, কনৌজৰপৰা উঠি-বুৰি অহা আলহী কেইঘৰকে দি পাল মাৰিলে আৰু মিত্ৰতা ৰক্ষা কৰিলে । কমতেশ্বৰে বৰ আনন্দেৰে এই চৌদ্ধ ঘৰ মানুহক নিজ খুচি মতে মাটি-বাৰী বিচাৰি বসতি কৰিবলৈ দিয়াত তেওঁবিলাক উত্তৰ পাৰে লেঙ্গামাগুৰি নামেৰে এখন বিলৰ পাৰত মাছ-খৰিৰ সুচল চাই গাওঁ পাতি ৰহিল । ৰজাই দূত পঠিয়াই স্থানীয় মানুহৰ হতুৱাই ঘৰ-বাৰী সজাই দিয়ালে । কিন্তু তেতিয়াও তেওঁবিলাকৰ শনিৰ দশা নৌ ওকলে । . . . ভোট আহি বছৰচেৰেকৰ পাচতে এই ভাটীৰ মানুহ কেইঘৰক লেঙ্গামাগুৰিৰ.... সোৱাদৰ পৰা বঞ্চিত কৰিলে । কোৱা বাহুল্য, এই সময়তে মানুহ কেইঘৰ থানবান হ'ল । কিছুমান দক্ষিণলৈ আৰু কিছুমান পূবলৈ গ'ল । চণ্ডীবৰকে আদি কৰি কিছুমানে দক্ষিণ পাৰে টেম্বুৱানী নামেৰে এটা জানৰ পাৰত ৰহিলহি, । এই জানটিক আজিকালি শান্তিজান বোলে ; নগাওঁৰ পৰা দহ মাইল ভটীয়াই গ'লেই পায় ।'' *

শঙ্কৰদেৱৰ আদি পুৰুষৰ নাম :—

প্ৰেম পূৰ্ণানন্দ গিৰী । তেওঁ অত্ৰি গোত্ৰ সম্ভূত ।

|

কৃষ্ণ গিৰী ।

|

সুবৰ্ণ গিৰী ।

|

গন্ধৰ্ব্ব গিৰী ।

|

ৰাম গিৰী ।

|

হেম গিৰী ।

|

হৰিবৰ গিৰী ।

|

কন্যা কৃষ্ণকান্তি ।

|

লণ্ডাদেৱ বা লণ্ডীবৰ ।

|

চণ্ডীবৰ ।

|

ৰাজধৰ । (ভাৰ্য্যাৰ নাম দেৱছহুতী)

|

সূৰ্য্যবৰ (ভাৰ্য্যা, খেৰশুতী)	জয়ন্তা (ভাৰ্য্যা, খেৰ--শুতীৰ দ্বিঃ ভগ্নী)	মাধৱ (ভাৰ্য্যা, খেৰ--শুতীৰ তৃঃ ভগ্নী)	হলায়ুধ (ভাৰ্য্যা, খেৰ--শুতীৰ চঃ ভগ্নী)
|	|	|	
কুসুমবৰ (ভাৰ্য্যা, (১) সত্য-সন্ধা, (২) অনুবৃতি)	শতানন্দ (ভাৰ্য্যা নাৰায়ণপ্ৰিয়া)	মাধৱীদলৈ	
|	|	|	
		ৰতিকান্ত	
		|	
সত্যঃ—শঙ্কৰদেৱ অনুঃ —বনগয়াঁগিৰী	জগতানন্দ	হাতীয়া	

জোনাকীৰ প্ৰবন্ধত এই বংশাবলীৰ অলপ লৰচৰ আছে ; গতিকে, তাক তলত দিলোঁ ;—''সুপন্থ গিৰী, কৃষ্ণদেৱ গিৰী. ৰামদেৱ গিৰী, হেমদেৱ গিৰী, গন্ধৰ্ব্বদেৱ গিৰী, সুবৰ্ণ গিৰী, হৰিবৰদেৱ গিৰী, কৃষ্ণকান্তি দেৱী, লণ্ডাদেৱ গিৰী, চণ্ডীবৰ বা দেৱীদাস, ৰাজধৰ । ৰাজধৰৰ চাৰি পুতেক :—সূৰ্য্যবৰ, জয়ন্ত, মাধৱ আৰু হলায়ুধ । সূৰ্য্যবৰৰ পুতেক কুসুম গিৰী, কুসুমৰ পুতেক শঙ্কৰ, শঙ্কৰৰ তিনিটি ল'ৰা আৰু দুজনী ছোৱালী,—বিষ্ণুপ্ৰিয়া, ৰামানন্দ, কমললোচন, হৰিচৰণ আৰু ৰুক্মিণী । ৰামানন্দৰ পুতেক পুৰুষোত্তম । জয়ন্তৰ পুতেক শতানন্দ, তেওঁৰ পুতেক ৰামৰায় বা জগদানন্দ । মাধৱৰ পুতেক হাতীদলৈ, তেওঁৰ পুতেক ৰতিকান্ত । হলায়ুধ নিঃসন্তান । **

* ২য় বছৰৰ ''আলোচনী''ত ওলোৱা ''মহাপুৰুষ শঙ্কৰদেৱৰ জীৱন-চৰিত'' প্ৰবন্ধ ।

** শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাই ''বাৰভূঞা'' বুলি এখন কিতাপ লেখিছে । তেওঁ ১৮৪৫ শকৰ কাণ্ডৰ বাঁহীত লেখিছে—''অসমত বাৰভূঞা বুলিলে বিটো জাতিক বুজায় সিবকৰ ''বাৰভূঞা''ই সেই ''বাৰভূঞা'' । এওঁবিলাকেই লক্ষীমপুৰ, বৰপুৰ, কলংপুৰ, গহপুৰ, নাৰায়ণপুৰ, এই পাঁচপুৰত ৰাজত্ব কৰা বাৰভূঞা, এই বাৰভূঞাৰ পূৰ্ব্বপুৰুষ অসমৰ আদি মানুহ বা অতি আদিতে

দ্বিতীয় অধ্যায়

১৩৭১ শকত শঙ্কৰদেৱৰ জন্ম হয়। সেই সময়ত চুনেফা স্বৰ্গদেও অসমৰ ৰাজসিংহাসনত আছিল। শঙ্কৰৰ বাপেকৰ নাম কুসুম্বৰ ভূঞা, মাকৰ নাম সত্যসন্ধা। কুসুম্বৰ বিখ্যাত চণ্ডীবৰ ভূঞাৰ পৰিনাতি। বহুকাল সত্যসন্ধাৰ সন্তান নোহোৱা দেখি কুসুম্বৰে অনুবৃত্তি নামে আৰু এটি কন্যা বিয়া কৰাইছিল। এই কন্যাৰ গৰ্ভত বনগঞ্জাগিৰী নামে কুসুম্বৰৰ এটি পো'বা হয় কিন্তু তাৰ আগেয়েই সত্যসন্ধাৰ গৰ্ভত শঙ্কৰৰ জন্ম হয়। সেইদেখি শঙ্কৰ বনগঞ্জাগিৰীৰ ককায়েক। শঙ্কৰৰ জন্মৰ তিনি দিনৰ ভিতৰতে মাক সত্যসন্ধাৰ মৃত্যু হয়। সেইদেখি বুঢ়ীমাক (কুসুম্বৰৰ মাক) খেৰশুতীয়ে শঙ্কৰক ডাঙৰ-দীঘল কৰে। কোনো কোনো চৰিত্ৰ পুথিত এই কথাৰ লৰ পোৱা যায়। তাত শঙ্কৰলৈ ছোৱালী খোজাৰ পিছতহে সত্যসন্ধা ঢুকুৱাৰ কথা পোৱা যায়। বৰদোৱাৰ গুৰুচৰিত্ৰ পুথিত লেখা আছে যে শঙ্কৰদেৱে সূৰ্য্যাৱতীক বিবাহ কৰাৰ কিছুদিনৰ পিছত কুসুম্বৰৰ মৃত্যু হয়, আৰু তাৰ কিছু দিনৰ পিছত সত্যসন্ধাৰ মৃত্যু হয়। দৈত্যাৰি ঠাকুৰ ৰচিত পুথিত আছে, যে শঙ্কৰ জন্মৰ কিছু দিনৰ পিছত কুসুম্বৰৰ পৰলোক হয়, আৰু তেওঁৰ পত্নী সত্যসন্ধা সতী যায়। শঙ্কৰক তেওঁৰ বুঢ়ীমাক খেৰশুতীয়ে তুলি-তালি ডাঙৰ কৰিছিল।—

"তাত পাছে যেন ভৈল তাক শুনিওক।
কতো দিনে কুসুম গৈলন্ত পৰলোক॥
দেখিলা ভাৰ্য্যায়ে তান মৰিলন্ত স্বামী।
মনত হৰিষে তেহোঁ গৈলা অনুগামী॥
কুসুমৰ মাতৃ শঙ্কৰৰ বুঢ়ী আই।
তেহেঁ তুলিলন্ত বৰ ভৈলা দুয়ো ভাই॥"

দৈত্যাৰি।

আমি কিন্তু আমাৰ পিতৃদেৱতা ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ মুখে শুনিছিলোঁ যে শঙ্কৰৰ জন্মৰ তিনি দিনৰ ভিতৰতে মাক ঢুকাল, আৰু খেৰশুতী বুঢ়ীআয়ে তেওঁক তুলিতালি ডাঙৰ-দীঘল কৰিছিল।

শঙ্কৰে ল'ৰা কালত খুব উমলি ফুৰিছিল। দিনে ৰাতিয়ে তেওঁৰ খেমালি ভিন্ন আন কাৰ্য্য নাছিল। ৰামৰাম গুৰুকে আদি কৰি নগৰীয়া ল'ৰাবিলাকেৰে সৈতে তেওঁ ঘিলা খেদি, কোটৰা খেলি, ভটা খেলি, লুকাভাকু খেল ফুৰিছিল; জহকালি ব্ৰহ্মপুত্ৰ নৈত নাদুৰি ফুৰিছিল; হৰিধ্বনি কৰি চাপৰি বজাই নাচি ফুৰিছিল, হাবিলৈ গৈ পহু-পোৱালি ধৰি আনি, বটা চৰাই ধৰি আনি, অলপ পৰ সেইবোৰ লৈ খেমালি কৰি আকৌ এৰি দিছিল, ৰামৰাম গুৰুৰে সৈতে ভাদমহীয়া ব্ৰহ্মপুত্ৰ নৈ সাতুৰি পাৰ হৈছিল; এদিন ব্ৰহ্মপুত্ৰত বুৰ মাৰি ভালেখিনি বেলি পানীৰ তলত আছিল; এদিন বুৰ মাৰি এটা শিহু ধৰি আনি নগৰীয়াসকলক দেখুৱাই আকৌ পানীত এৰি দিছিল। বাৰ বছৰ বয়সলৈকে শঙ্কৰে লেখা-পঢ়া নিশিকি উমলি কাল কটাইছিল। এদিন তেওঁ ভাত খাবলৈ বহোঁতে খেৰশুতী বুঢ়ীআয়ে তেওঁক ক'লে "বোপা তুমি পঢ়িব লাগে। আমাৰ বংশত উপৰি পুৰুষ সকলো পণ্ডিত। তোমাৰ এতিয়া ইমান বছৰ হ'ল, তুমি নপঢ়িলে মূৰ্খ হৈ থাকি বংশৰ গ্লানি আনিবা, আৰু তুমি ভৱিষ্যতত দৰিদ্ৰ হৈ দুখত কাল কটাব লাগিব। ভ্ৰাতৃয়ে ধন সম্পত্তিৰ ভাগ পায়, বিদ্যাধন কোনোৱে ভাগ কৰিব নোৱাৰে, চোৰেও চুৰ কৰিব নোৱাৰে।" শঙ্কৰে বুঢ়ী-মাকৰ এই কথা শুনি উত্তৰ দিলে, "কোন পণ্ডিতৰ ওচৰত পঢ়িব লাগে, মোক পঠিয়াই দিয়ক, মই অতি অলপ দিনৰ ভিতৰতে পঢ়ি আপোনাসকলৰ মনত সন্তোষ দিম।" এই কথা শুনি বুঢ়ীমাকে ভাল দিন-ক্ষণ চোৱাই মহেন্দ্ৰ কন্দলিৰ পঢ়াশালিত পঢ়িবলৈ শঙ্কৰক পঠিয়াই দিলে। ভাদমাহৰ কোনো এটা বৃহস্পতিবাৰে শুভলগ্ন চাই শঙ্কৰৰ বিদ্যাৰম্ভ কৰা হ'ল, আৰু সেই দিনাই তেওঁ ক, খ, আদি ব্যঞ্জনবৰ্ণ শিকিলে। এদিন শঙ্কৰে অকল ব্যঞ্জনবৰ্ণ জোঁটাই এই পয়াৰ কৰি কন্দলিক দিয়াত কন্দলিয়ে মনত বৰ সন্তোষ পাই আচৰিত হ'ল। বৰদোৱাৰ পুথিত আছে, যে শঙ্কৰে চৌদ্ধ বছৰ বয়সলৈকে এইদৰে উমলি ফুৰিছিল, লেখা পঢ়া কৰা নাছিল। আন চৰিত্ৰ-পুথিত বাৰ বছৰ বয়সলৈকে সেইদৰে উমলি

অহা যে নিশ্চয় ই ধুৰুপ। আৰিমত্ত ৰজাৰ ৰাজত্বৰ পাছত আহোমৰ হাতত পৰাজিত নোহোৱালৈকে উত্তৰ পাৰে এই বাৰভূঞা-সকলেই ঘাই ৰাজশক্তি আছিল। গৌৰৱপৰা কমতাপুৰৰ ৰজাই সাতঘৰ কায়স্থ আৰু সাতঘৰ ব্ৰাহ্মণ আনে। তেওঁবিলাকক কমতাপুৰৰ ৰজাই জমিদাৰি দি ভূঞা উপাধি দিয়ে। এওঁবিলাকক অসমৰ বিখ্যাত "বাৰভূঞাৰ" লগত ধৰিব নোৱাৰি। শ্ৰীশঙ্কৰদেৱ কমতাপুৰৰ ৰজাই পতা ভূঞাৰহে সন্ততি আছিল, ৰাজত্ব কৰা বাৰভূঞাৰ সন্ততি নহয়। "বাৰভূঞাক" কোনো ৰজাই ভূঞা পতা নাই, তেওঁবিলাকে নিজ ভুজবলেৰেহে বাৰভূঞা বা ভূঞা নামে অভিহিত হৈছিল। "বাৰভূঞা" আৰু "কমতাপুৰৰ ভূঞাৰ" ভিতৰত এইটো মন কৰিব লগীয়া। কোনো ৰাজত্ব কৰা জাতিয়ে কোনো যুৱতী বা মহাভাৰত বা ৰামায়ণত ৯ বছৰীয়া ছোৱালীক ধৰৰ বিয়া কৰোৱা পোৱা নাযায়। এইটো ৰাজকীয় ক্ষমতাৰ প্ৰভাৱতে হওক বা যেই কাৰণতে হওক, ৰাজত্ব কৰা জাতিয়ে যোড়শী কন্যাকহে বিয়া কৰিছিল বা হৰণ কৰিছিল। অসমৰ বাৰভূঞা সকলেও যদিও ক্ষত্ৰিয়ৰ পৰা গন্য বুলি শাস্ত্ৰ অনুযায়ী উপনয়ন কৰিছিল আৰু কৰে তথাপি তেওঁবিলাকে যোড়শী কন্যাকহে বিয়া কৰিছিল আৰু কৰে। কমতাপুৰৰ ৰজাই পতা ভূঞাসকলে কিন্তু ৯ বছৰীয়া ছোৱালীহে বিয়া কৰিছিল আৰু এতিয়াও কৰে। দুইদল ভূঞাৰ মাজত এইটোৱেই বিশেষ পাৰ্থক্য।

কৰিছিল বুলি উল্লেখ কৰা আছে। কিন্তু এইটো ঠিক যে তেওঁ ডাঙৰবৈলৈকে পঢ়া-শুনা নকৰি উমলি কাল কটাইছিল। দৈত্যাৰি ঠাকুৰৰ পুথিত আছে,—

"গৃহক আসিয়া পাছে ভোজন কৰন্ত।
সেহি সময়ত তান্ত গোসানী মাতন্ত॥
স্নানৰে টানন তই উমলি কুৰস।
এতমান ভৈলি আসি এভো নপঢ়স॥
হেন শুনি শঙ্কৰে পঢ়িব নিতে শান্ত।
ক কালি পৰ্য্যন্তে ফলা সবে পঢ়িলন্ত॥
পঢ়িলন্ত আনো যত পঢ়িবে লাগয়।
সন্ধি সংজ্ঞা সাধিবে লাগিল মহাশয়॥"

*　　*　　*

"সেহি দিন ধৰি উমলিবেক নযান্ত।
পৰম যতনে গুৰু গৃহত পঢ়ন্ত॥
যাবেক দেখাই দিলে এতেকে পাৰন্ত;
অতি অনায়াসে গুৰু তাহাঙ্ক পঢ়ান্ত॥
পঢ়িলন্ত নিৰন্তৰে শাস্ত্ৰ সমস্তয়।
অপ্ৰমাদী পণ্ডিত ভৈলন্ত মহাশয়॥
অবিৰতে সমস্ত শাস্ত্ৰক বিচাৰন্ত।
শাস্ত্ৰালাপ বিনে আন কম্ম নাচৰন্ত॥
শাস্ত্ৰৰ তত্ত্বক জানি মনত ধৰিবে।
পৰলোক চিন্তি মাত্ৰ চিন্তে অহৰ্নিশে॥
ধৰ্ম্মত সদায় ৰতি কৃপাময় মন।
শিশু হন্তে ধৰ্ম্ম মাত্ৰ কৰন্ত সৃজন॥"

বুঢ়ীমাকৰ কথা শুনি সেই দিনাৰেপৰা শঙ্কৰে মহেন্দ্ৰ কন্দলিৰ পঢ়াশালিলৈ গৈ লেখা-পঢ়া শিকিবলৈ ধৰিলে। ডাঙৰবৈলৈকে উমলি ফুৰি তেওঁৰ এনে অভ্যাস হৈছিল, যে এদিন তেওঁ পঢ়াশালিৰ অধ্যাপকক এটকা কপ আৰু এখন কাপোৰ লুকাই ভেটি দি অধ্যাপকৰ পৰা বিদায় লৈ উমলিবলৈ গৈছিল, অধ্যাপকে সেই কপ আৰু কাপোৰ খেৰগুতী বুঢ়ীআইক ওভোতাই দিলত বুঢ়ীমাকে বুজি পাই শঙ্কৰক দাবি দিলত হে সেই দিনাৰপৰা শঙ্কৰে ভালকৈ মন দি পঢ়িবলৈ ধৰিলে। চৰিত্ৰ-পুথিত লেখা আছে যে এদিন একাদশী তিথিত সকলো ছাত্ৰৰে পাঠ শেষ কৰি ঘৰামুখি গ'ল; কিন্তু শঙ্কৰ পঢ়াশালিতে শুই থাকিল। তেওঁৰ শৰীৰত ৰ'দ পৰাত এটি সৰ্পই ফণাৰে ছাঁ দি আছিল, এনেতে মহেন্দ্ৰ কন্দলি আহি দেখা পালত সাপটো গুচি গ'ল। সেই দিনাৰ পৰা কন্দলিয়ে শঙ্কৰক শঙ্কৰদেৱ বুলিবলৈ ছাত্ৰ সকলক আজ্ঞা শুনাই দিলে আৰু কলে যে আজিৰপৰা শঙ্কৰে পঢ়াশালি মচিব নালাগে। এদিন বাৰৰাচাৰ্য্য পণ্ডিত পঢ়াশালিলৈ আহোঁতে ছাত্ৰবিলাক তেওঁক এই বুলি গোচৰ দিলে যে সিহঁতৰ অধ্যাপক কন্দলিয়ে, শূদ্ৰিৰ লৰা শঙ্কৰক শঙ্কৰদেৱ বুলি মাতিবলৈ সিহঁতক আজ্ঞা দিছে, আৰু শঙ্কৰে পঢ়াশালি মচিব নালাগে বুলি কৈছে। আচাৰ্য্যই এই কথা শুনি কন্দলিৰ ওপৰত খং কৰিছিল। কিন্তু ৰাতি আচাৰ্য্যই শুই থাকোঁতে সমাজিকত দণ্ড পাই পিছ দিনা শঙ্কৰদেৱৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছিল বুলি চৰিত্ৰ-পুথিত আছে। চোকা বুদ্ধিৰ ল'ৰা শঙ্কৰে অতি অলপ কালৰ ভিতৰতে বিদ্যা শিক্ষা কৰি অনেক শাস্ত্ৰ পঢ়িৰ পণ্ডিত হৈ পৰিছিল। অধ্যাপকে তেওঁক কোনো পাঠ এবাৰ দেখুৱাই দিলে দুনাই আৰু তাক দেখুৱাব লগীয়া নহৈছিল। বিদ্যাৰ সোৱাদ পাই শঙ্কৰে দিনে ৰাতিয়ে শাস্ত্ৰচৰ্চ্চা শাস্ত্ৰালাপৰ বাহিৰে আন কথাত কালক্ষেপ নকৰিছিল। মহেন্দ্ৰ কন্দলিয়ে শঙ্কৰৰ বুদ্ধিৰ প্ৰখৰতা আৰু অনায়াসে শাস্ত্ৰ আয়ত্ত কৰিব পৰা ক্ষমতা দেখি কুসুম্বৰক কৈছিল যে তেওঁৰ পুতেক "বিজয় পণ্ডিত" হ'ব। শঙ্কৰদেৱে পঢ়া শেষ কৰি পঢ়াশালি এবাৰ পিছত পিতৃ কুসুম্বৰে কন্দলিক মতাই আনি খুৱাই-বুৱাই দক্ষিণা দি বিদায় দিছিল। তাৰ পাছত শঙ্কৰে যোগশাস্ত্ৰ পাই যোগাভ্যাস কৰিবলৈ ধৰি সেই বিদ্যাত পৰম নিপুণ হৈ পৰিছিল, আৰু কুম্ভক যোগ আদি কৰি প্ৰাণ, অপান আদি বায়ু বশ কৰি লোকক তেওঁৰ ক্ষমতা দেখুৱাই আচৰিত কৰিছিল। এদিন তেওঁ যোগাসনত বহি কুম্ভক যোগ অভ্যাস কৰোঁতে তেওঁৰ দেহৰ গহনাদি ছিগি গৈছিল আৰু বাওঁহাতৰ বুঢ়া আঙুলি মাটিত দি ভৰ দি খিয় হোৱাত পাৰ ওপৰলৈ উঠা দেখি দৰ্শক লোকসকল আচৰিত হৈছিল। দৈত্যাৰি ঠাকুৰ বিৰচিত পুথিত আছে,—

"প্ৰাণ অপান সমান উদান আদি কৰি বায়ুচয়।
বশ্য কৰিলন্ত, চলাইবে পাৰন্ত যি বায়ু যৈত লাগয়॥
বায়ুক ক্ষেপিয়া, উশাস ধৰিয়া, আসন ভিৰি হৰিষি।
থাকন্ত সদায়, সুনিশ্চল কায়, দিন দুই চাৰি বসি॥
জলে বুৰ দিয়া থাকন্ত বসিয়া জলৰ ভিতৰে যাই।
জল দূৰ কৰি, পৰ দুই চাৰি, জলে নিভিজয় কায়॥
বস্ত্ৰো নিভিজয়, শুখান থাকয়, উঠন্ত পুনু জলৰ।
বাহু প্ৰদেশত সৰসে বান্ধন্ত নবীন ডোৰে পাটৰ॥
বায়ু ক্ষেপি নিয়া, বাহু ওকলায়া, বায়ুৰ লক্ষ প্ৰমাণ।
নব পাট ডোৰ ছিণ্ডি ৰাটবাই পৰে কতো দূৰমান॥
আনো আনো যত কৰন্ত সতত বায়ু সমে ক্ৰীড়া আতি।
যোগ শাস্ত্ৰ মত ধৰি যোগ যত আচৰন্ত দিনে ৰাতি॥
ধ্যান, ধাৰণা, সমাধি, আসন, প্ৰাণায়াম আদি যত।
বিষয়ত ৰতি ত্যজিয়া সম্প্ৰতি আচৰা মাত্ৰ সতত॥
শৰীৰৰ ছয় চক্ৰক ছিণ্ডন্ত মনত কৰি নিয়ম।
পাছে ভাগৱত শাস্ত্ৰক পাইলন্ত সবাতো কৰি উত্তম॥
ভাগৱত তত্ত্ব জানিয়া পাছত এৰিলা যোগ অভ্যাস॥"

শঙ্কৰদেৱ দেখিবলৈ সুপুৰুষ আছিল, আৰু তেওঁৰ গাৰ বৰণ কেচা-সোণৰ বৰণ যেন আছিল। দৈত্যাৰি ঠাকুৰে লেখিছে,—

"দেখিতে সুন্দৰ গৌৰবৰ্ণ কলেবৰ।
কৰন্ত প্ৰকাশ অতি সূৰ্য্য সমসৰ।।
ৰূপ দেখি কন্দৰ্পৰো দৰ্প হোৱে চূৰ্ণ।
সৰ্ব্বজন ৰঞ্জি থাকে মধুৰ বচন।।
গমন গম্ভীৰ, নেত্ৰ কমলৰ পাসি।
চন্দ্ৰসম বদন প্ৰকাশে অল্প হাসি।।
সুবোধ সুধিৰ ধীৰ গম্ভীৰ সাগৰ।
প্ৰীতি বাঢ়ি যায় তান্ত সমস্ত লোকৰ।।'

মাধৱদেৱে লেখিছে—

"দৰশিতে সুন্দৰ গৌৰ কলেৱৰ, যৈচন স্বৰূপৰকাশ।
সকলো সভাসদৰঞ্জন যাকেৰি দৰশনে পাপ বিনাশ।।
বিনা অঙ্গভূষণ দেখিতে সুশোভন, গহীন গম্ভীৰ ধীৰ মতি।
আয়ত কমল-নয়ন বৰ সুন্দ বয়ন চান্দকহো জ্যোতি।।
লীলা গজগতি গমন বিলোকন, বাণী মেঘ-গম্ভীৰ।
পাষণ্ডমৰ্দ্দন কলিক কালে যাক সম নাহি ধীৰ।।"

শঙ্কৰদেৱ যেনে শুৱনি পুৰুষ আছিল তেওঁৰ গাত তেনে বৰ বলো আছিল। চৰিত্ৰ-পুথিত আছে,—এদিন তেওঁ কমলি-ধৰা পৰমানন্দ আতৈৰ সৈতে বাটেদি যাওঁতে এটা দুষ্ট ষাঁড়ে তেওঁক খুচিবলৈ খেদি অহা দেখি, তেওঁ ককালত কাপোৰ বান্ধি লৈ দুই হাতে ষাঁড়টোৰ দুই শিঙত ধৰি ঘাৰ মুচৰি তাক পিছহোঁহকাই পেলাই দিলত ষাঁড়টো মৃত্যুতুল্য হৈ অলপমান পৰি থাকি, উঠি পলাই লৰ মাৰিলে। *

কছাৰীয়ে শঙ্কৰক ধৰিবলৈ তেওঁৰ ঘৰ-বেৰা দিলে। দুটা শকত বণুৱা কছাৰী তেওঁৰ ঘৰৰ দুৱাৰ-মুখত থিয় হৈ তেওঁক আগচি ধৰিলে। শঙ্কৰে কথা বিসঙ্গতি দেখি ভিতৰৰ পৰা ভো-ভো-কৰে লৰি ওলাই আহি ঠেলা মাৰি কছাৰী দুটাক মাটিত পেলাই দি সিহঁতৰ গাৰ ওপৰত ভৰি দি গচকি ওলাই লৰ মাৰিলে। ** ইয়াৰপৰা, শঙ্কৰৰ কেনে সুস্থ আৰু সবল মনেৰে সৈতে সুস্থ আৰু সবল শৰীৰ আছিল, সেইটো ভালকৈ বুজিব পাৰি। Mens sana in corpore sano" অৰ্থাৎ একে আধাৰতে সুস্থ মন আৰু সুস্থ শৰীৰ যে মনুষ্যত্বৰ পূৰ্ণবিকাশৰ নিমিত্তে লাগতিয়াল এই লেটিন বাক্যই শঙ্কৰত সাৰ্থকতা লাভ কৰিছিল; আৰু এই নিমিত্তে শঙ্কৰে তেওঁৰ জীৱনত ইমানবোৰ কাম কৰিব পাৰিছিল, আৰু এই নিমিত্তেই তেওঁ দীৰ্ঘজীৱন লাভ কৰিছিল।

শঙ্কৰদেৱে সূৰ্য্যাৱতী নামে এটি কায়স্থ কন্যা বিবাহ কৰি গৃহস্থী হৈছিল। হৰিবৰ গিৰী নামে ভূঞা কায়স্থ এজন জগন্নাথ ক্ষেত্ৰলৈ তীৰ্থ কৰিবলৈ গৈছিল। এনে প্ৰবাদ আছে যে তাতে তেওঁৰ প্ৰতি জগন্নাথৰ স্বপ্নাদেশ হ'ল, যে তেওঁৰ এজনী ছোৱালী হ'ব যাক তেও কুসুম্বৰ ভূঞাৰ পুতেক শঙ্কৰলৈ বিয়া দিব লাগিব। এই ছোৱালীৰে নাম সূৰ্য্যাৱতী, আৰু এওঁকে মহাসমাৰোহেৰে পিছত শঙ্কৰদেৱলৈ বিবাহ কৰোৱা হৈছিল। শঙ্কৰদেৱে গৃহস্থাশ্ৰম ধৰ্ম্ম অতি সুন্দৰকৈ আচৰণ কৰি এজন আহি গৃহস্থ হৈছিল। *** সূৰ্য্যাৱতীৰ গৰ্ভত শঙ্কৰৰ মনু নামে এক কন্যাৰ জন্ম হয়। সেই কন্যা তেওঁ হৰি নামে কায়স্থ এজনলৈ বিয়া দিছিল। ইয়াৰ পিছত তেওঁৰ স্ত্ৰীৰ মৃত্যু হয়। শঙ্কৰৰ বিয়াৰ পিছতে কুসুম্বৰ চুকায়। পিতৃ আৰু স্ত্ৰীৰ মৃত্যুৰ পিছত শঙ্কৰৰ মনত বৈৰাগ্য উপস্থিত হৈ জীয়েক জোৱাঁয়েকক ভায়েক ৰনগয়াঁ গিৰীৰ তত্ত্বাৱধানত থৈ পিতৃ মাতৃ আৰু স্ত্ৰীৰ অস্থি লৈ তেওঁ তীৰ্থ কৰিবলৈ গ'ল। তীৰ্থলৈ যাওঁতে তেওঁৰ লগত ৰামৰাম গুৰু, মহেন্দ্ৰ কন্দলিকে আদি কৰি ১৭ জন লগৰীয়া যাত্ৰী গৈছিল। তীৰ্থলৈ তেওঁলোক খোজকাঢ়ি গৈছিল। প্ৰথমতে শঙ্কৰে গঙ্গাস্নান কৰি পিতৃ মাতৃ আৰু পত্নীৰ অস্থি গঙ্গাত লগালে; তাৰ পিছত গয়ালৈ গৈ তেওঁলোকৰ পিণ্ড দিলে। গঙ্গাত ৯ দিন, গয়াত তিনি ৰাতি থাকি তাৰপৰা দহ দিনে আকৌ গঙ্গালৈ আহি, একৈশ দিনে গৈ শ্ৰীক্ষেত্ৰ পালেগৈ। পুৰীত তেওঁ ব্ৰহ্মপুৰাণৰ আখ্যানমতে ক্ষেত্ৰৰ মাহাত্ম্য ব্যাখ্যা কৰি আৰু আন আন শাস্ত্ৰ-বিষয়ত নিজৰ পাণ্ডিত্য প্ৰকাশ কৰি পাণ্ডাসকলৰ

* "দিনেক শঙ্কৰদেৱ কৰিলা ভোজন। কৰি মুখ শুদ্ধি পথে কৰন্ত গমন।।
খান চাৰি গুৱাপান বাম হাতে ধৰি। চলন্ত পথত আতি লীলাগতি কৰি।।
সেহি বেলা ষাণ্ড এক আগে উপগত। দেখিয়া শঙ্কৰদেৱ গুণন্ত মনত।।
হঠাতে বাজিলোঁ পলাইবাক নপাৰিলোঁ। দিবে দুখ ইটো মোক অৱশ্যে জানিলোঁ।।
বাৰম্বাৰ ইটো মনুষ্যক মাৰিছয়। শিঙ্গ পাতি শঙ্কৰক খেদিয়া আসয়।।
আহন্ত শঙ্কৰদেৱ ৰহি তাক চাই। মনে গুণি আন একো নপান্ত উপায়।।
গুৱাপান এৰি দুই হাতে দুই শিঙ্গে। ধৰিয়া দিলন্ত তাৰি অতি বৰ বিঙ্গে।।
পাছক লাগিয়া হেম্পোচিয়া তাক নেন্ত। এঘাইবোঁ কিমতে বুলি মনত গুণন্ত।।
দুই ভিতি খাজ দিশ নাহি পলাইবাক। বাম পাশে খালত পেহলাইলা চিতে তাক।।
খালে পৰি ধৰফৰ কৰে অতিশয়। জন হুৱা চাৰিও চৰণ আছাৰয়।।
উঠি মল মূত্ৰ তাজি শঙ্কৰদেৱক। দেখিয়া পলায় আৰ নাচাৱে পাছক।।
খালে খালে মহাভয়ে নৰৰি পলায়। বল মনে শঙ্কৰে আহন্ত তাক চাই।।" —দৈত্যাৰি

শ্ৰদ্ধা ভক্তি আকৰ্ষণ কৰিছিল। শ্ৰীক্ষেত্ৰত শঙ্কৰদেৱে কিছুদিন থাকি তাৰপৰা বৃন্দাবনলৈ গ'ল। বৃন্দাবনত তেওঁৰে সৈতে ব্ৰাহ্মণসকলৰ বাদ হৈছিল। সেই বাদত শঙ্কৰে ব্ৰাহ্মণসকলক পৰাস্ত কৰি তেওঁলোকৰ সমাদৰ লাভ কৰিছিল। বৃন্দাবনৰপৰা শঙ্কৰ মথুৰা আৰু দ্বাৰকালৈ গৈছিল। দ্বাৰকালৈ যাওঁতে তেওঁৰ লগত ১৭ জন সঙ্গীৰ ভিতৰত দুজন মাথোন গৈছিল। তেওঁলোকৰ নাম সৰ্ব্বজয় আৰু পৰমানন্দ। তাৰপৰা তেওঁ বাৰানসী, প্ৰয়াগ, সীতাকুণ্ড, বৰাহকুণ্ড, উত্তৰবাহিনী গঙ্গা আদি পৰিদৰ্শন কৰি অযোধ্যালৈ গৈছিল। অযোধ্যাৰপৰা তেওঁ আকৌ বৃন্দাবনলৈ যায়। এইবাৰ তেওঁ বৃন্দাবনত থাকোঁতেই আসামত লেটেকুপুখুৰীত হৰশিঙ্গা বৰাৰ ঘৰত বৰকণাগিৰী বা গোবিন্দৰ এটি পুত্ৰ ওপজে যাৰ নাম মাধৱদেৱ। বৃন্দাবনৰপৰা শঙ্কৰদেৱ বদৰিকাশ্ৰমলৈ যায়। "মন মেৰি ৰাম চৰণহি লাগু" এই গীতটি শঙ্কৰদেৱে বদৰিকাশ্ৰমতে ৰচনা কৰে।

এইদৰে শঙ্কৰদেৱে নানা তীৰ্থভ্ৰমণ কাৰ বাৰ বছৰৰ মূৰত নিজৰ ঘৰ আলিপুখুৰীলৈ উভতি আহে। চৰিত্ৰ-পুথিত আছে যে শঙ্কৰদেৱ ইমান দিনৰ মূৰত ঘৰলৈ উভতি অহা শুনি তেওঁৰ বুঢ়ীমাক খেৰসুতীয়ে তেওঁক চাবলৈ উধাতুখাই ওলাই আহোঁতে খাটৰ খুৰাত উজুটি খাই পৰি তেওঁৰ ভৰিত ঘা লাগি বৰকৈ তেজ ওলাইছিল।—*

> "আসিল শঙ্কৰবৰ শুনি বুঢ়ী আই।
> দিলা বেগে খাটত পৰিলা জুটি খাই॥
> লাগিয়া খাটৰ খুৰা যাৰ ভৈল ভৰি।
> কান্দিবে লাগিলা শঙ্কৰৰ গলে ধৰি॥
> এতদিন বাপু তুমি কিসক নাসিলা।
> সবাকে সম্বোধি দেৱশঙ্কৰ বহিলা॥"

ইমান বছৰৰ মূৰত শঙ্কৰদেৱক পাই জ্ঞাতি কুটুম্ব সকলোৱে আনন্দিত হৈ তেওঁক তেওঁৰ আগৰ আপোন কাৰ্য্য ভূঞাৰ বিষয় গ্ৰহণ কৰিবলৈ ক'লত তেওঁ উত্তৰ দিলে "মোক বিষয় নালাগে; বহু কষ্ট কৰি শাস্ত্ৰ পঢ়ি সাৰ পাইছো; ঈশ্বৰৰ নাম লৈ বহি থাকিবৰ হে মোৰ ইচ্ছা।" ইয়াৰ পিছত পিতৃদেৱ কুসুমবৰৰ সবিয়হ তলিত কীৰ্ত্তন ঘৰ সজাই নাম-কীৰ্ত্তন কৰি সুখেৰে কাল কটাবলৈ ধৰিলে। তীৰ্থৰপৰা উভতি অহাৰ পিছত জ্ঞাতি কুটুম্বসকলৰ অনুৰোধত শঙ্কৰদেৱে পুনৰ কালিন্দী নামে কন্যা বিবাহ কৰালে।** দ্বিতীয় ভাগ জোনাকীৰ প্ৰবন্ধত এইদৰে আছে,—

"যথাকালত গঙ্গাতীৰ্থ পাই তাত যথানিয়মে স্নান-দান কৰি তেওঁৰ লগৰ ভালেখিনি মানুহ উভতি ঘৰলৈ আহিল। তেওঁ তাৰ পৰা জগন্নাথ ক্ষেত্ৰলৈ গ'ল। তেওঁৰ লগত আৰু বাৰ জন জগন্নাথ ক্ষেত্ৰৰ যাত্ৰী আছিল, তেওঁবিলাকৰ নামৰ উল্লেখ চৰিত্ৰত আছে, যেনে—হয়গ্ৰীৱ, জগন্নাথ, নৰ্দ্দে, ৰুদ্ৰৱৰ, কল্কি, কল্পতৰু, ধৰাধৰ, বিশ্বনাথ, গোবৰ্দ্ধন, সুৰথ সুন্দৰ আৰু মনপুৰ। ওৰেষা পুৰীৰ জগন্নাথ মূৰ্ত্তি দৰ্শন কৰি আমাৰ প্ৰখ্যাত যাত্ৰী কেইজনা মহা আনন্দেৰে থাকিবলৈ ধৰিলে। ক্ষেত্ৰৰ ডাঙৰ পণ্ডিতসকলৰ লগত শাস্ত্ৰালোচনা কৰি শঙ্কৰদেৱে অনুপম তৃপ্তি লভিছিল। শঙ্কৰদেৱৰ সদালাপ, গভীৰ জ্ঞান আৰু সাধাৰণ ধৰ্ম্ম-ভাৱত ক্ষেত্ৰবাসী পণ্ডিত আৰু পাণ্ডাসকল বিস্মিত হৈছিল। পুৰীত ৫ মাহ মান থাকি দক্ষিণ ভাৰতলৈ শঙ্কৰদেৱে যাত্ৰা কৰিলে। সেতুবন্ধ ৰামেশ্বৰ আৰু দক্ষিণ দেশৰ আন প্ৰসিদ্ধ তীৰ্থস্থানবিলাক চাই তেওঁ পশ্চিম দেশলৈ খোজ ল'লে। বাৰানসী, প্ৰযাগ, মথুৰা, বৃন্দাবন, কুৰুক্ষেত্ৰ, উপবদৰিকাশ্ৰম আদি পশ্চিম ভাৰতৰ প্ৰসিদ্ধ তীৰ্থস্থানবিলাক চাই আকৌ তেওঁ জগন্নাথ ক্ষেত্ৰলৈ উভতি আহিল; আৰু তাত কিছুদিন থাকি ঘৰলৈ মুখ কৰিলে। ঘৰৰ আৰু গাৱঁৰ সকলোৱে অনুপম প্ৰীতি, পৱিত্ৰ উৎসাহ আৰু উজ্বল আশাৰ উৎসৱে তেওঁৰ প্ৰত্যাবৰ্ত্তনক অভ্যৰ্থনা কৰিছিল। তেওঁৰ এই ভ্ৰমণত ১২ বছৰ লাগে বুলি চৰিত্ৰত লেখা আছে। সি যি হওক এই তীৰ্থভ্ৰমণত অনেক বছৰ যে লাগিছিল তাত কোনো সন্দেহ নাই। শঙ্কৰদেৱৰ এই তীৰ্থভ্ৰমণৰ বিশেষ বিৱৰণ চৰিত্ৰত পোৱা নেযায়, কিন্তু এইটো থিৰাং যে এই ভ্ৰমণৰ পৰা তেওঁ বহুজ্ঞান, বহুদৰ্শিতা আৰু বহুশক্তি লাভ কৰিছিল। পাছৰ ডাঙৰ কাৰ্য্যৰ নিমিত্তে এই ভ্ৰমণতেই যে তেওঁ প্ৰস্তুত হৈছিল তাৰ অলপো সন্দেহ নাই। এই ভ্ৰমণতেই যে তেওঁ প্ৰস্তুত হৈছিল তাৰ অলপো সন্দেহ নাই। এই ভ্ৰমণেই তেওঁৰ হৃদয়ত জড় মূৰ্ত্তিৰ পুজাৰ অসাৰতা

** কছাৰী মুনিৰ দুই দুৱাৰত থিত। হেন দেখি শঙ্কৰে ভৈলন্ত ভয়ভীত॥
কিমতে পলাইবোঁ মনে মনে আলোচিলা। ভিতৰৰপৰা ৰৰ বেগে লৰ দিলা॥
হেন্দোচিয়া চিতে পেহলাইস্ত দুয়োজন। গৰকিলা দুইকো দিয়া বুকুত চৰণ॥ —দৈত্যাৰি।

*** ইষ্টগণ সঙ্গে, এক কাল ৰঙ্গে, মনত মহা উৎসাহ। ৰূপে বিত্তোপনী কন্যা একখানি কৰিল তেহোঁ বিবাহ॥
গৃহাশ্ৰমে থাকি ধৰ্ম্ম আচৰন্ত শাস্ত্ৰক যেন, বিহিত। স্নান তৰ্পণ সন্ধ্যা বন্দনা আচৰন্ত কৰ্ম্ম নিত॥
দুখী দৰিদ্ৰক, প্ৰাৰ্থক জনক অন্ন বস্ত্ৰ দেন্ত মাতি। ইষ্ট বান্ধৱক জ্ঞাতি মিত্ৰক পোষন্ত পালন্ত আতি॥
দাসী দাস যত সবাকে সতত মাতন্ত মধুৰ বাণী। হেন মাকিহৰ তাহান বাক্যত দুখ পাৱে কোনো প্ৰাণী॥
আন লোক যত সবাকে বঞ্জন্ত, যাক যথোচিতভাৱে। সদয় হৃদয় যেন জলধৰ কৃপালু গুণ স্বভাৱে। —দৈত্যাৰি।

আৰু চৈতন্যময় ঈশ্বৰৰ পূজাৰ শ্ৰেষ্ঠতা দকৈ সুমাই দিয়ে, এই ভ্ৰমণতেই তেওঁৰ মনত দেশৰ হিত সাধনাৰ মহাব্ৰতৰ ভেঁটি শকতকৈ বন্ধা হয়, আৰু এই ভ্ৰমণতেই তেওঁক আজি পৰ্য্যন্ত অসম ভূমিত অমৰ কৰি ৰাখিছে। পণ্ডিতৰ সমাজত তেওঁৰ নামৰ সন্মান আৰু মাহাত্ম্য, নামঘৰত ভকতৰ মুখত ভোৰ তালৰ ধ্বনিত তেওঁৰ নাম মিহলি হৈ প্ৰতিধ্বনিত হোৱা, বহাগৰ বিহুত বছৰৰ ন দিনৰ সম্ভাষণৰ হুচৰিত গৰখীয়া ল'ৰাৰ গীতত তেওঁৰ নামৰ উচচ ৰোল উঠা, বনুৱাই বন কৰোতে ভাগৰ পলুৱাবৰ নিমিত্তে তেওঁৰ ভণিত গীত গাই তৃপ্তিলাভ কৰাৰ মূল হৈছে তেওঁৰ এই ভ্ৰমণ, আৰু তেওঁৰ অসীম শক্তি।

"শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষসকল দেৱীৰ একান্ত উপাসক আছিল। তেওঁ দেশভ্ৰমণলৈ ওলোৱাৰ পূৰ্ব্বে তেওঁৰ ঘৰত দেৱীৰ পূজা চলি আছিল। সেই পূজাত তেওঁৰ কিমান আস্থা আছিল তাক তেওঁৰ ভ্ৰমণৰ পূৰ্ব্বৰ মনৰ ভাব আৰু তেওঁৰ পাছৰ কাৰ্য্যৰ দ্বাৰাই জানিব পাৰি। কিন্তু তেওঁৰ বয়স কোমল থকাৰ বাবে মনৰ শক্তি সিমান প্ৰবল নথকাত, সংসাৰত দৃঢ়ভাৱে প্ৰতিষ্ঠিত নোহোৱা আৰু শিক্ষাৰ অধীনত থকাৰ বাবে বংশত চলি অহা পূজাৰ বিধি গুচাই তেওঁ তেওঁৰ মনৰ অনুৰূপ পূজাৰ বিধান থাপি ভাল ফল অনাৰ আশা নকৰিছিল। কিন্তু এতিয়া বিদেশ-ভ্ৰমণৰ পৰা আত্ম-প্ৰস্তুত হৈ আহি সংস্কাৰ কাৰ্য্যত নিজক নিযুক্ত কৰিবলৈ তেওঁ আৰম্ভ কৰিলে। শঙ্কৰৰ প্ৰথম আৰু প্ৰধান চিন্তা আৰু কাৰ্য্য হ'ল একমাত্ৰ চৈতন্যময় ঈশ্বৰ হৰিৰ পূজা সাধাৰণত প্ৰচাৰ কৰা। এই সম্বন্ধে তেওঁৰ মনৰ সংস্কৃত ভাবৰ তেজৰ পৰিচয় চৰিত্ৰত পোৱা যায়। বিদেশৰ পৰা ঘূৰি আহিলত তেওঁক প্ৰীতি-ভোজন দিবৰ নিমিত্তে তেওঁৰ ভায়েক বনগঞা গিৰিয়ে ব্যৱহাৰ মতে এটা ছাগ দেৱীৰ আগত বলি-কটা শালত দি বধ কৰে। ইয়াতে শঙ্কৰদেৱে বৰ অসন্তোষ পাই বহুদিনৰ অনুপস্থিতিৰ পাছত প্ৰথম সন্মিলনৰ পৰা ওপজা আনন্দ কাতি কৰি থৈ ভায়েকক বিশেষৰূপে ভৰ্ৎসনা কৰে। তাৰ পাছে ভায়েকে আৰু এটা ডাঙৰ অগৰ লগায়। বনগঞাই ককায়েকলৈ গাখীৰৰ নিমিত্তে গৰু আনিবলৈ বিচাৰি গৈ, জয়ন্তা গিৰিৰ গৰুৰ শালত সোমাই জনীচেৰেক গৰু আনিবলৈ ধৰে, তাতে গৰখীয়াই আগভেটি গৰু নিয়াত বাধা জন্মায়। বনগঞাইও সেই সময়ৰ চলিত বলীবিলাকৰ ওপৰত ডাঙৰীয়াসকলৰ সহজ ব্যৱহাৰৰ ভাৱত, হাতত থকা ৰাঠিডাল গৰখীয়াৰ বুকুলৈ মাৰি তাৰ প্ৰাণ বধ কৰে। ভায়েকৰ এই নৃশংস কাৰ্য্যত শঙ্কৰদেৱে আন্তৰিক বেদনা পাই ভায়েকক ঘোৰ ভৰ্ৎসনা কৰে। তেওঁৰ সংস্কৃত মনৰ গতি এই ঘটনা দুটিৰ দ্বাৰাই জনা যায়।

"তীৰ্থভ্ৰমণৰ পৰা আহি প্ৰথমতে তেওঁৰ একমাত্ৰ ধ্যানৰ হৰিনামৰ মহিমা, হৰিধৰ্ম্মৰ পৱিত্ৰতাৰ মৰ্ম্ম, তেওঁৰ বুঢ়ীমাক জয়ন্তদেৱৰ সহধৰ্ম্মিণীৰ ওচৰত প্ৰচাৰ কৰে। এই বুঢ়ী ধৰ্ম্মপৰায়ণা সতীয়ে, স্বামীয়ে বিধৱা তিৰুতাৰে ঘৰ পুৰোৱা বাবে, স্বামীৰ পৰা পাঁতৰ হৈ বেলেগে বাস কৰিছিল। জয়ন্তদেৱে যে শূদ্ৰিৰ কুলীয়া বিধৱাকে তিৰুতাৰূপে ৰাখিছিল, তাৰ প্ৰমাণ, ৰামানন্দ ঠাকুৰৰ লেখা চৰিত্ৰত, শঙ্কৰদেৱ আৰু এই বুঢ়ীমাকৰ আলাপৰ পৰা পোৱা যায়। শঙ্কৰদেৱ বিদেশৰ পৰা আহিলত যেতিয়া জয়ন্তৰ ঘৰত ভোজন কৰিবলৈ নিমন্ত্ৰিত হয়, তেওঁৰ ঘৰলৈ যাওঁতে প্ৰথমে বুঢ়ীমাকৰ ঘৰত সোমায় ইয়াতে বুঢ়ীমাকে জয়ন্তৰ ৰক্ষিত বিধৱা তিৰুতা সম্বন্ধে শঙ্কৰদেৱক কৈছে—

"মোক ৰাজ কৰিলেক, ৰাণ্ডিগণ আসিলেক,
সেহি লোকে বন্দন কৰয়।"

উত্তৰত শঙ্কৰদেৱে এই "ৰাণ্ডীগণ" শব্দৰ অৰ্থৰ সন্দেহ ভাঙি দিছে।

"বিধৱা সবৰ বন্ধা অনুক ভুঞ্জেৰ্বা কেনে?
উত্তম শূদ্ৰৰ বৰ দোষ" *

ত্ৰিহুতৰ জগদীশ মিশ্ৰ নামে এজন ব্ৰাহ্মণে জগন্নাথৰ আগত শ্ৰীমদ্ভাৰত শাস্ত্ৰ পঢ়ি শুনাবৰ মনেৰে পুৰীলৈ গৈছিল। প্ৰবাদ আছে, ব্ৰাহ্মণে তাতে জগন্নাথৰপৰা স্বপ্নাদেশ পালে যে তেওঁ কামৰূপলৈ গৈ শ্ৰীশঙ্কৰদেৱক ভাগৱত শুনাওক। এই আদেশ মতে ব্ৰাহ্মণে সুধি সুধি দুমাহে আহি টেম্বুৱানি বৰদোৱা পালেহি। শঙ্কৰদেৱ সেই সময়ত তেওঁৰ পেহাক কেতাইখাঁক চাবলৈ কেতাইখাঁৰ নগৰ গাং-

* "শ্ৰীযুক্ত জোনাকী সম্পাদক মহাশয় নিবেদন,

২য় ভাগ জোনাকীত ওলোৱা ৺শ্ৰীশ্ৰীশঙ্কৰদেৱৰ চৰিত্ৰত অনেক অমূলক আৰু অশুদ্ধ কথা আছে। লেখকে ভৱানীপুৰীয়া গোপাল আতাৰ পথাৱলম্বী ৰমানন্দ নামে লোক এজনে ৰচা চৰিত্ৰ পুথি চাই এই চৰিত্ৰ লেখিছে যেন অনুমান হয়। সেই ৰমানন্দ শ্ৰীশঙ্কৰ দেৱৰ পুত্ৰ ৰমানন্দ ঠাকুৰ দেৱ নহয়। তেওঁৰ দ্বাৰায় ৰচিত চৰিত্ৰ সত্ত-সাধুৰ গ্ৰহণীয় নহয়; কাৰণ তাত বহুত ঘোৰা মিথ্যা মিছা কথা আছে। কাৰণ জাতিৰ ভিতৰত বিধৱা গ্ৰহণ কৰা নিয়ম নাই; গ্ৰহণ কৰিলে জাতান্তৰ হয়। কিন্তু জোনাকীৰ "শঙ্কৰ দেৱ" প্ৰবন্ধত এনে অসম্ভৱ কথা লেখা হৈছে। জোনাকীত, ভাল পাত নোযোৱোৱা আৰু শুদ্ধ কথা থকাহে বাঞ্ছনীয়, আৰু তেনে হ'লেহে সি সকলোৰে আদৰণীয় হ'ব। এতেকে আপোনাক এই কথাৰ মীমাংসা কৰিবলৈ জনালোঁ।

শিৱসাগৰ,
১৪ জানোৱাৰি, ১৮৯৮।

বাধ্য,
শ্ৰীদীননাথ শৰ্ম্মা বেজবৰুৱা।

থৌলৈ গৈ তাতে তিন দিন আছিল। ব্ৰাহ্মণে শঙ্কৰক বিচাৰি গাংমৌ পাই তাতে শঙ্কৰদেৱৰে সৈতে দেখা কৰি ভাগৱত শাস্ত্ৰ পাঠ কৰি শঙ্কৰদেৱক শুনাবলৈ ধৰিলে। যি দিনাই ভাগৱত শুনোৱা শেষ হ'ল সেই দিনাই ব্ৰাহ্মণৰ তাতে মৃত্যু হ'ল। সেই ভাগৱত শাস্ত্ৰ শঙ্কৰদেৱে পাই ভক্তিপন্থৰ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিলে। প্ৰথমতে তেওঁ ভাগৱতৰপৰা সাৰ উদ্ধাৰ কৰি কীৰ্ত্তন পুথি ৰচনা কৰিলে। তাৰ পিছত গীত পদ ভটিমা চপয় আদি কৰিলে

ৰামৰায়কে আদি কৰি জ্ঞাতিসকলে শঙ্কৰদেৱক ক'লে যে "আপুনি অনেক তীৰ্থত ভ্ৰমণ কৰি নানাৰকম উৎসৱ দেখি আছিছে, আমাক এটি আমোদজনক উৎসৱ দেখুৱাওক।" এই কথা শুনি ফাগুন মাহৰ পূৰ্ণিমা তিথিত শঙ্কৰদেৱে বৃন্দাবনী গোপালৰ দৌলোৎসৱ কৰি দেখুৱালে। তেতিয়াৰেপৰা আসামত ফল্গুৎসৱ বা ফাকুৱা প্ৰচলিত হ'ল। কীৰ্ত্তন পুথিত ঠাই পোৱা "ৰঙ্গে ফাকু খেলে চৈতন্য বনমালী। দুই হাতে ফাকুৰ গুণ্ডা সিঞ্চন্ত মুৰাৰি ॥" ঘোষা আৰু পদ এই উপলক্ষে ৰচিত হৈছিল।

জ্ঞাতি বন্ধুসকলৰ অনুৰোধত শঙ্কৰদেৱে চিহ্নযাত্ৰা ভাৱনা কৰিছিল। সেই ভাৱনালৈ গোলক-ধামকে আদি কৰি সপ্ত বৈকুণ্ঠৰ নক্সাৰে সৈতে শঙ্কৰে নিজ হাতে সুন্দৰ চিত্ৰপট (Scene) আঁকি দিছিল; যাত্ৰাত বজাবলৈ খোল নামৰ বাদ্য কুমাৰৰ হতুৱাই গঢ়াই আৰু মুচিয়াৰৰ হতুৱাই ছোৱাই উলিয়াই দিছিল। আগেয়ে আসামত মৃদঙ্গ হে প্ৰচলিত আছিল, শঙ্কৰদেৱে কপিলীমুখৰ কুমাৰক মতাই আনি খোল গঢ়াবলৈ নমুনা দি কিছুমান মাটিৰ খোল প্ৰস্তুত কৰালে, আৰু শালমৰা গাৱঁৰ মুচিয়াৰক মতাই খোলবোৰ ছোৱাই দি তাত লোৰ গুৰি আৰু কৰ্কৰা ভাতৰ কৰাল দি কেনেকৈ খুণ দিব লাগে সেই পৰ্য্যন্ত তেওঁ দেখুৱাই দিছিল। কঁহাৰৰ হতুৱাই মন্দিৰা, খুটিতাল, ভোৰ-তালকে আদি কৰি অনেক বিধৰ তাল প্ৰস্তুত কৰালে। ভায়েক ৰামগঞ্জা গিৰীক গায়ন আৰু নিজে বায়ন হৈ, সৰ্ব্বজয় আৰু কমলি ধৰা পৰমানন্দক নতুৱা পাতি, আৰু আন আন সকলোকে ভাওভগাই দি তেওঁ সেই ভাৱনা কৰিছিল। এয়েই আসামত প্ৰথম ভাৱনা আৰু খোল তাল আদি বাদ্যৰ প্ৰচলন।

কছাৰীবিলাকেৰে সৈতে ভূঞাসকলৰ বিৰোধ চলি থকাত অশান্তি হোৱা বাবে শঙ্কৰদেৱ প্ৰমুখ্যে ভূঞা-সকলে বৰদোৱা এৰি গাঙমৌত বসতি কৰে। ৬৭ বছৰ বয়সত শঙ্কৰদেৱে বৰদোৱা এৰি গাঙমৌলৈ যায়। বৰদোৱাত থাকোতেই শঙ্কৰদেৱে কীৰ্ত্তন পুথি ৰচনা কৰে আৰু অনেক গীত ভটিমা নাট আদি ৰচনা কৰি সত্ৰ পাতি শিষ্য ভজাই ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰে। গাঙমৌত শঙ্কৰদেৱে নামঘৰ মণিকূট আদি সজাই সত্ৰ পাতি ধৰ্ম্মপ্ৰচাৰ কৰি পাঁচ বছৰ থকাৰ পিছত তাত ডফলাই দৌৰাত্ম্য কৰাত তাৰপৰা উঠি গৈ চাঙনি নামে ঠাইত ছমাহ আছিল; তাতো সত্ৰৰ বিশেষ সুবিধা নোহোৱা বাবে তেওঁ ভাল ঠাই বিচাৰি ধুৱাঁহাট বা বেলগুৰিলৈ গৈ তাত সত্ৰ পাতি থাকে। হাতীয়া দলেকে আদি কৰি জলদিয়েক বঙহৰ মানুহৰ ব্যৱহাৰত বিৰক্ত হৈ শঙ্কৰদেৱ কোমোৰাকটা নামে ঠাইত ছমাহ আছিল গৈ, পিছত জ্ঞাতি সকলে কাবৌ কোকালি কৰি মতাত হে ছমাহৰ মূৰত তেওঁ আকৌ বেলগুৰিলৈ আহে।

শঙ্কৰদেৱ ধুৱাঁহাটত থাকোতে মণি-কাঞ্চনৰ যোগ হয়, অৰ্থাৎ মাধৱদেৱৰে সৈতে তেওঁৰ মিলন হয়, আৰু মাধৱদেৱে শঙ্কৰক গুৰু মানি তেওঁৰ শিষ্য হয়। মাধৱদেৱৰ বাপেকৰ নাম গোবিন্দ গিৰী, মাকৰ নাম মনোৰমা। গোবিন্দৰ আৰু তিনটা নাম আছিল,— দীঘৰপুৰীয়া গিৰী, বৰকণা গিৰী, আৰু লমকণা গিৰী। গোবিন্দৰ ঘাই ঘৰ বাণ্ডুকাত। বাণ্ডুকাত তেওঁৰ অনুচিতা নামে স্ত্ৰীৰ মৃত্যুৰ পিছত তেওঁৰ মনত বৈৰাগ্য হোৱাত পুতেক দামোদৰক তাতে থৈ তেওঁ টেম্বুৱানিলৈ আহি ভূঞাৰ সমাজত বাস কৰিছিল। টেম্বুৱানি বৰদোৱাতে গোবিন্দে মনোৰমা নামেৰে কায়স্থ কন্যা এটি বিয়া কৰে। সেই কন্যাৰ গৰ্ভত মাধৱৰ জন্ম হয়। মাধৱ যেতিয়া মাকৰ গৰ্ভত পাঁচ মহীয়া তেতিয়া ভোটৰ উপদ্ৰৱত ভূঞা সকলে টেম্বুৱানি এৰি পলালত, বৰকণা গিৰীও স্ত্ৰীৰে সৈতে পলাই গৈছিল। তেওঁলোকে নিজৰ বই-বস্ত্ৰ ৰূপ-বান লৈ দোলাত উঠি হাবিলৈ পলাই গৈছিল। বাৰ্ধিত দোলাৰপৰা তেওঁলোক নামি বৰ ভাগৰ লগাত অলপ জিৰাওঁতেই তেওঁলোকৰ দুৰ্ঘোৰ টোপনি আহিল, আৰু সেই সুযোগতে তেওঁলোকৰ দোলাভাৰী কেইটাই ধন বস্ত্ৰ সোপাকে চুৰ কৰি লৈ পলাই গুচি গ'ল। সিহঁতে তেওঁলোকৰ গাৰপৰা পিন্ধা-কাপোৰ পৰ্য্যন্ত

বিচাৰ কৰিয়া পাছে ভাগৱত গ্ৰন্থ। কৰিলন্ত শঙ্কৰে প্ৰকাশ ভক্তিপন্থ ॥
হৰিত ভকতি অতি কৰিবে প্ৰবন্ধ। প্ৰথমতে কৰিলন্ত কীৰ্ত্তনৰ ছন্দ ॥
অৱশ্যে কিছু লোকে ভকতি কৰিল। ভেৰে আনো নানাবিধ ছন্দ নিৰূপিল ॥
কতো গীত পদ কতো ভটিমা চপয়। কথা শ্লোক আদি কৰিলন্ত মহাশয় ॥"—

দৈত্যাৰি ঠাকুৰ ৰচিত গুৰু চৰিত্ৰ।

সোনোকাই লৈ তেওঁলোকক উদং কৰি গৈছিল। স্বামী স্ত্ৰী দুয়ো সাৰ পাই নিজৰ এনে দুৰৱস্থা দেখি বেজাৰত বিমৰ্ষ হৈ তাতে বহি থাকিল। এনেতে স্ত্ৰীৰ বৰকৈ পিয়াহ লাগিলত, ৰৰকণা গিৰীয়ে পানী বিচাৰি গৈ ওচৰতে নৈ এখন পাই তাত গা ধুই পানী খাই ঘৈণীয়েকলৈ নলৰ চুঙাত পানী ভৰাই আনিবলৈ ধৰোঁতেই নৈয়েদি নাৱেৰে উজাই যোৱা হৰশিঙ্গা বৰাই তেওঁক তেনে অৱস্থাত দেখিবলৈ পাই নাও ৰখাই তেওঁক সুধি তেওঁৰ বিপদৰ কথা জানিব পাৰি, তেওঁক আৰু তেওঁৰ সহধৰ্ম্মিণীক নিজৰ নাৱঁত তুলি লৈ গৈ আপোনাৰ ঘৰতে যত্ন কৰি ৰাখিলে। হৰশিঙ্গা বৰাৰ ঘৰৰ ওচৰতে লেটেকু-পুখুৰী নামে ঠাইত ১৪২১ শকৰ জেঠৰ পূৰ্ণিমা তিথিত ৰবিবাৰে মাধৱ-দেৱৰ জন্ম হয়।

কিছুমান বছৰৰ পিছত ৰৰকণা গিৰীয়ে নিজৰ স্ত্ৰী আৰু পুত্ৰৰে সৈতে হৰশিঙ্গা বৰাৰ আশ্ৰয় এৰি ঘাঘৰি মাজি নামে এজন তেওঁৰ পুৰণি বন্ধুৰ ঘৰত আশ্ৰয় ল'লে। ঘাঘৰি মাজিৰ ঘৰতে ৰৰকণা গিৰীৰ উৰ্ব্বশী নামে এটি কন্যা ওপজে, যাক পিছত তেওঁ গয়াপাণি বা ৰামদা-সেৰে সৈতে বিয়া দিছিল। তেওঁলোক ঘাঘৰি মাজিৰ ঘৰত থাকোতেই মাধৱক উত্তৰি আৰু উৰ্ব্বশীক বিয়া দিবৰ হৈছিল দেখি, তাত ৰৰকণা গিৰীৰ স্বজাতিৰ লোক নথকা বাবে তেওঁ ছোৱালীজনী বিয়া দিবৰ নিমিত্তে কায়স্থকুলীয়া ল'ৰা বিচাৰি নাৱেঁৰে টেম্বুৱানিৰ ফালে যাত্ৰা কৰি আহিল। টেম্বু-ৱানিলৈ আহোঁতে বাটতে ৰৰকণা গিৰীয়ে ৰতা বা ৰৌতা নামে ঠাইত হোঁকোৰাকুচি নিবাসী গয়াপাণি নামেৰে কায়স্থকুলীয়া লোক এজন পাই, তেওঁৰে সৈতে উৰ্ব্বশীক বিয়া দি, জোঁৱায়েকৰ ঘৰৰ ওচৰতে নিজলৈ ঘৰ সজাই বসতি কৰিলে। তাতে তেওঁ মাধৱকো উপনয়ন দিলে। কিছুমান দিনৰ পিছত জোঁৱায়েক গয়াপাণিৰ ঘৰতে স্ত্ৰী আৰু কন্যাক থৈ ৰৰকণাগিৰীয়ে মাধৱক লগত লৈ তেওঁৰ পুৰণি ঘৰ বাণ্ডুকালৈ উভতি গল। বাণ্ডুকাত তেওঁৰ বৰ পুতেক দামোদৰ আছিল। বহুকালৰ মূৰত দামোদৰে পিতাকক পাই, আৰু নভায়েক মাধৱক দেখি পৰম আনন্দিত হ'ল, আৰু আটাই কেইজন একেলগে প্ৰীতিৰে বাস কৰিবলৈ ধৰিলে। বাণ্ডুকাতে মাধৱে লেখা-পঢ়া শিকি ন্যায়, তৰ্ক, নীতি প্ৰভৃতি শাস্ত্ৰ অধ্যয়ন কৰি অলপ কালৰ ভিতৰতে শাস্ত্ৰজ্ঞ পণ্ডিত হৈ উঠিল। বাণ্ডুকাতে ৰৰকণাগিৰীৰ মৃত্যু হয়। পিতৃবিয়োগৰ পিছত মাধৱে ককায়েক দামোদৰৰে সৈতে পিতৃৰ অন্ত্যেষ্টিক্ৰিয়াদি সমাপন কৰিলে আৰু তাৰ পিছত মাতৃদৰ্শন কৰিবৰ অৰ্থে তেওঁ টেম্বুৱানিলৈ উভতি আহিল। মনোৰমাই পুতেকৰ মুখৰপৰা স্বামীৰ মৃত্যুৰ বাতৰি শুনি বৰকৈ শোক কৰি বৈধব্য ব্ৰত অৱলম্বন কৰি ৰ'ল। ইয়াৰ পিছত মাধৱে আকৌ বাণ্ডুকালৈ গৈ ককায়েকেৰে সৈতে ব্যৱসায় কৰি জীৱন নিৰ্ব্বাহ কৰিবলৈ ধৰিলে। কিন্তু কিছুদিন সেইকাৰ্য্য কৰি থকাৰ পিছত বিলাতৰ ভাগ লৈ ককা-য়েকেৰে সৈতে তেওঁৰ মনান্তৰ হ'লত তেওঁ মেলুৱাই গোটাই সোধ কৰাই সেই দন্দৰ মীমাংসা কৰালে। লাহে লাহে মাধৱে স্পষ্টকৈ দেখিবলৈ পালে যে সেই কাৰ্য্যত অনেক অধৰ্ম্মাচৰণ হয়; সেইদেখি তেওঁ ককায়েকক নিজৰ ভাগৰ ব্যৱসায় কাৰ্য্য এৰি দি খেতি কৰিবলৈ ধৰিলে। ইয়াৰ কিছু কালৰ পিছতে তেওঁ টেম্বুৱানিত তেওঁৰ মাকৰ বৰ নৰীয়া বুলি শুনি নবান্দৰিকৈ মাকক চাবলৈ টেম্বুৱানিলৈ যাত্ৰা কৰিলে। বাটত আহোঁতে তেওঁ মাকৰ নৰীয়া ভাল হবৰ নিমিত্তে শৰৎকালৰ দুৰ্গাপূজালৈ দুটা বগা ছাগ আগ কৰিলে। টেম্বুৱানি পাই মাধৱে দেখিলে যে মাকৰ নৰীয়া ভাল হৈছে। সেই দেখি তেওঁ ভিনায়েক গয়াপাণিৰ হাতত এটকা ধন দি গোঁসানী পূজাৰ নিমিত্তে বগা ছাগ দুটা কিনি আনি তেওঁক দিবলৈ ক'লে। গয়াপাণিয়ে ইয়াৰ আগেয়েই শঙ্কৰদেৱত শৰণ লৈ বৈষ্ণৱধৰ্ম্ম গ্ৰহণ কৰিছিল। সেইদেখি গোঁসানীৰ আগত বলি দিবলৈ পঠা আনি দিয়াটো তেওঁৰ পক্ষে অসম্ভৱ কাৰ্য্য হৈছিল। দিনৌ মাধৱে ভিনায়েকক "পঠা আনিছা নে" বুলি সোধে, আৰু ভিনায়েকে ঘূৰাই পকাই সেই কথাৰ ঠিক উত্তৰ নিদি "বিচাৰিছোঁ।" "আনিম" ইত্যাদি কথা কৈ গা সাৰে। দুৰ্গা-পূজাৰ ওচৰ চাপিল। এদিন মাধৱে ভিনায়েকেৰে সৈতে মজিয়াত বহি ভাত খাওঁতে খং কৰি ভিনায়েকক সুধিলে—

"হোঁকোৰাকুচীয়া তুমি বুদ্ধিত পাগল।
কিয় আনি নেদা মোক পূজাৰ ছাগল?"

এই দৰে কৈ মাধৱে ভিনায়েকৰ ওপৰত বৰকৈ খং কৰিলত, ভিনায়েকে তেওঁক উত্তৰ দিলে,—

"আমাৰ আগত দেখোৱাহা বৰগোট।
শঙ্কৰৰ আগত হৈবাহা লোটসোট॥"

এই উত্তৰ শুনি মাধৱে আচৰিত হৈ ভিনায়েকক সুধিলে, "মোতকৈও কোনোবা ডাঙৰ পণ্ডিত আছে নে?" ৰামদাসে উত্তৰ দিলে "তুমিয়ে নিজক বৰ পণ্ডিত বুলি অহঙ্কাৰ কৰা হ'বলা? ৰাক কাইলৈ তোমাক শঙ্কৰদেৱৰ ওচৰলৈ লৈ যাম।" মাধৱে এই কথাত মান্তি হৈ পিছদিনা ৰাতিপুৱা স্নান কৰি শুৱা পাণ লৈ ৰামদাসৰ সৈতে নৈ পাৰ হৈ শঙ্কৰৰ থান পাই শঙ্কৰদেৱৰে সৈতে সাক্ষাত কৰিলে। ৰামদাসে শঙ্কৰদেৱৰ আগত মাধৱৰ পৰিচয় দিলত শঙ্কৰে ক'লে "এৰা, মনোৰমা বাইৰ পুত্ৰ বৰ এটা হ'ল; মূৰে মূৰে ঠেকা লাগিলেও চিনি নেপাওঁ।"

ইয়াৰ পিছত দেৱীৰ আগত কিয় ছাগ বলি দিব নাপায়, আৰু দেৱী পূজা কিয় কৰিব নাপায়, এই কথা লৈ শঙ্কৰ আৰু মাধৱৰ বাদ হয়। শঙ্কৰে নিবৃত্তি মাৰ্গৰ শাস্ত্ৰৰ প্ৰমাণ আৰু মাধৱে প্ৰবৃত্তি মাৰ্গৰ শাস্ত্ৰৰ প্ৰমাণ উদ্ধাৰ কৰি বাদ কৰি থাকোঁতে বেলি তিনি পৰীয়া হ'লগৈ ।

এনেতে শঙ্কৰদেৱে শ্ৰীমদ্ভাগৱতৰপৰা—
"যথা তৰোর্মূল নিষেচনেন।
তৃপ্যন্তি তৎস্কন্ধ ভুজোপশাখাঃ ।।
প্ৰাণোপহাৰাচ্চ যথেন্দ্ৰিয়ানাং ।
তথাচ সৰ্ব্বাৰ্হনচ্যুতেজ্যা ।।"

এই শ্লোকটো মাতিলে। মাধৱে শ্লোকটো শুনা মাত্ৰকতে কেৱল একমাত্ৰ কৃষ্ণদেৱ হে উপাস্য বুলি মনত থিৰ কৰি শঙ্কৰদেৱক গুৰু মানি সেৱা জেনে কৰিলে। মাধৱে হঠাৎ শঙ্কৰদেৱক সেৱা কৰিলত শঙ্কৰদেৱে ভাবিলে যে মাধৱে বিদায় ল'বৰ মনেৰেহে কৰিলে। সেই দেখি শঙ্কৰদেৱে তাৰ কাৰণ সুধিলত মাধৱদেৱে ক'লে "বাপ, আহিয়েই প্ৰথমতে তোমোবাক আমি ভুঞা বৰলোক বুলি সেৱা কৰিছিলোঁ ; এতিয়া গুৰু মানি সেৱা কৰিছোঁ।" শঙ্কৰদেৱে যদিও মাধৱদেৱৰে সৈতে তেওঁৰ মিলন হোৱাৰ আগেয়ে ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰি অনেকক শিষ্য কৰি নামধৰ্ম্ম প্ৰচাৰ কৰিছিল, তথাপি মাধৱদেৱৰে সৈতে লগ লাগিবৰপৰা সেই ধৰ্ম্ম প্ৰচাৰৰ বল অনেক গুণে বাঢ়িল। মাধৱদেৱ, মাধৱদেৱৰ বৈনাই ৰামদাস, ৰামৰাম গুৰু, ৰত্নাকৰ কন্দলি, ব্যাসকলাই বাপু আদি ভক্তসকলেৰে সৈতে শঙ্কৰদেৱে হৰিসংকীৰ্ত্তনৰ চলেৰে উজনি-আসাম বুৰাই পেলাইছিল। * শঙ্কৰদেৱে ৰত্নাকৰ কন্দলিক ** প্ৰত্যহ গীতা পাঠ কৰিবলৈ দিয়ে, ব্যাসকলায়ে হৰিধ্বনি কৰি সকলোকে ৰামনাম বোলাই তাৰ অৰ্থ ব্যাখ্যা কৰি দিয়ে। এইদৰে শঙ্কৰে প্ৰচাৰ কৰা হৰিভক্তি মানুহৰ মাজত চলাত পূজা অচচ্চ্য আদি বামুণীয়া কামৰ ব্যাঘাত হ'বলৈ ধৰিলে। সেইদেখি ব্ৰাহ্মণসকলে অসূয়া কৰি শঙ্কৰৰ নামে আহোম ৰজা চুহুমুং স্বৰ্গদেৱৰ ওচৰত গোচৰ দিলে। ৰজাৰ ওচৰত শঙ্কৰদেৱৰ জয় আৰু ব্ৰাহ্মণসকলৰ পৰাজয় ঘটিল।

একালত অসম ৰজাৰ হাতী ধৰিবৰ মন হ'ল। ৰজাই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ হাতী ধৰিবৰ নিমিত্তে লোকজন পঠিয়ালে। ভুঞাসকলক হাতী খেদা পাল দিলে। শঙ্কৰৰ বংশীয় ভুঞাসকলে যি ফালে পাল পাইছিল, দুৰ্ভাগ্যবশতঃ সেই ফালেই হাতী ভাগি গ'ল। এই দোষত শঙ্কৰদেৱকে প্ৰমুখ্য কৰি ভুঞাসকলক ধৰি নিবলৈ ৰজাৰ আদেশ হ'ল। শঙ্কৰদেৱকে আদি কৰি ভুঞাসকল পলাই সাৰিল, কিন্তু শঙ্কৰদেৱৰ জোৱাঁয়েক হৰি আৰু মাধৱদেৱ ধৰা পৰিল। ৰজাই মাধৱদেৱক ল'ৰা তিৰুতা নথকা উদাসীন দেখি এবছৰ বন্দী কৰি থৈ এৰি দিলে, আৰু হৰি জোৱাঁইক কটালে। * * * অসম ৰজাৰ এই দৌৰাত্ম্যত ঘৃণা প্ৰকাশ কৰি শঙ্কৰদেৱে উজনি অসম পৰিত্যাগ কৰি জ্ঞাতি কুটুম্ব সকলেৰে সৈতে ভটীয়াই গুচি গ'ল। তেওঁ ভটীয়াই গৈ ক্ষেত্ৰি মৌজাৰ কাপালা নামে ঠাইত সত্ৰ পাতি ছমাহ আছিল ; কিন্তু সেই ঠাইত লগৰীয়া অনেক ভকতৰ জৰ নবীয়া হৈ মৃত্যু হোৱাত চুণ-পোৱাত সত্ৰ পাতি ৰ'লগৈ। শঙ্কৰদেৱে চুণ-পোৱাত ছমাহ থাকি তাত আচল পাই তাৰপৰা কুমাৰকুঁচিত সত্ৰ পাতি তাত এবছৰ থাকি তাতো অসুবিধা পাই তাৰপৰা পাটবাউসীলৈ গৈ তাত সত্ৰ পাতি আছিল ।

ইয়াৰ পিছত শঙ্কৰদেৱে দ্বিতীয় বাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈছিল ; লগত মাধৱদেৱকে আদি কৰি ১০০।১৫০ ভকত গৈছিল। এইবাৰ তেওঁ যাওঁতে কবীৰাৰ মঠ দৰ্শন কৰিছিল। জগন্নাথত চৈতন্যদেৱৰে

---

* "ৰাম ৰাম গুৰু ৰামদাস ওজা দুই। মাধৱে কীৰ্ত্তনকৰে ডাইনা পালী হই ।।
গগণমণ্ডল ছোৱে কীৰ্ত্তনৰ ধ্বনি। আনন্দ-সাগৰে লোক মজে তাক শুনি ।।
স্বভাৱে কীৰ্ত্তন ঘোষা পৰম সুন্দৰ। এখনো মিলয় শুনি আনন্দ লোকৰ ।।
তাতে আৰো ঈশ্বৰে আপনি তাল ধৰি। গাবন্ত মহিমা তাৰ কোনে কৈবে পাৰি ।।
আগেতে শঙ্কৰদেৱ থাকন্ত সাক্ষাত। মিলে জানা আনন্দ অপৰিমিত তাত ।। —দৈত্যাৰি ঠাকুৰ।

** ৰত্নাকৰ কন্দলি পঢ়ন্ত গীতা তত্ত্ব। বিপ্ৰসকলাই নামে জনেক আছয় ।।
তাহ সম গুণী নাই জাতিত ব্ৰাহ্মণ। শঙ্কৰদেৱত তেহোঁ লৈয়াছে শৰণ ।।
দুই চাৰি শ্লোক গৈলে গীতাৰ নিশ্চয়। থিৰ হয়া সিটো সব সভাত কহয় ।।
হে সভাসদ লোক থিৰ কৰি মন। শুনা সাৱধানে ইটো কৃষ্ণৰ বচন।
এহি বুলি সিটো সবে লোকক শুনাই। গীতাৰ অৰ্থক কহে সভাত বুজাই ।।
ওপৰক দুয়ো হাত তুলি উচ্চ কৰি। বোলে ঘনে ঘনে সবে বোলা হৰি হৰি ।।
সকলোৱে যোট যোট কৰে হৰি ৰাৱ। সবাৰো মনত মহা আনন্দ উৎসৱ ।।
কতোক্ষণ ভৈলে কৰি গীতা সম্বৰণ। হৰিযে কৰন্ত সবে গৃহক গমন ।।" —দৈত্যাৰি ঠাকুৰ।

*** হৰি জোঁৱাইক কাটিবৰ সময়ত মাধৱদেৱে এই গীতটি গাই তেওঁক মান সোঁৱৰাইছিল—
"হৰো ভাই সাৱধান। বাৰে লভু ছুটে প্ৰাণ ।।
গোবিন্দৰ কৰবাণ। নিকট মিলাৱে জান ।। ইত্যাদি।

সৈতে তেওঁৰ দেখা হৈ অনেক শাস্ত্ৰালাপ হৈছিল। পুৰীৰপৰা বৃন্দাবনলৈ শঙ্কৰদেৱৰ যাব খোজাত মাধৱদেৱে নাযাওঁ বুলি কোৱাত যোৱা নহ'ল। তীৰ্থৰপৰা উভতি আহি শঙ্কৰদেৱে পাটবাউসীতে নিগাজী সত্ৰ থাপন কৰি শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ স্থূল মৰ্ম্মানুসাৰে বৈষ্ণৱধৰ্ম্ম প্ৰচাৰ কৰি আছিল। হিড়িম্বৰ ৰজাই শঙ্কৰৰ প্ৰচাৰিত ধৰ্ম্ম গ্ৰহণ কৰিবৰ ইচ্ছা প্ৰকাশ কৰাত, মাধৱদেৱৰ হতুৱাই শঙ্কৰদেৱে সেই ৰজাক ধৰ্ম্ম দিয়াইছিল। চিলাৰায় দেৱানে ৰামৰায় আতাৰ কন্যা ভুবনেশ্বৰী পত্নীৰপৰা শঙ্কৰৰ গুণশীল শুনি শঙ্কৰক মতাই নি বৈষ্ণৱধৰ্ম্ম গ্ৰহণ কৰি শঙ্কৰদেৱৰ শিষ্য হৈছিল। শঙ্কৰৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰভাৱ বেছি হৈ ব্ৰাহ্মণসকলৰ অৱলম্বিত তন্ত্ৰোক্ত ক্ৰিয়াকলাপৰ ব্যাঘাত হোৱাত ব্ৰাহ্মণ সকলে শঙ্কৰদেৱক দ্বেষ কৰিবলৈ ধৰিলে। কোচবেহাৰৰ ৰজা নৰনাৰায়ণক ব্ৰাহ্মণসকলে শঙ্কৰৰ বিপক্ষে নানা কথা লগাবলৈ ধৰাত ৰজাই পাটবাউসীৰপৰা শঙ্কৰদেৱক ধৰাই নিবলৈ মানুহ পঠিয়ালে। এই বাতৰি পাই তাৰ আগেয়েই চিলাৰায় দেৱানে শঙ্কৰদেৱক লৈ গৈ নিজৰ ঘৰত * থৈছিল। তাৰ পিছত দেৱানৰ ঘৰৰপৰা আহি শঙ্কৰদেৱে ৰজাক সাক্ষাত কৰাত শঙ্কৰদেৱৰ পাণ্ডিত্য আৰু ধৰ্ম্মজ্ঞান দেখি ৰজাই তেওঁৰ প্ৰতি ভক্তিযুক্ত হৈ ব্ৰাহ্মণসকলৰ ওপৰত বিৰক্তি প্ৰকাশ কৰিছিল। ইয়াৰ পিছত ৰজা শঙ্কৰদেৱৰ পৰম অনুৰাগী হৈ পৰিছিল। ৰজাৰ দৰবাৰত ব্ৰাহ্মণসকলৰ ওপৰত শঙ্কৰদেৱে জয় লাভ কৰি পাটবাউসীলৈ উভতি আহিল। ইয়াৰ পিছত নৰনৰায়ণ ৰজাই শঙ্কৰদেৱকে আকৌ এবাৰ কোচবেহাৰলৈ মতাই নিছিল। এইবাৰো শঙ্কৰদেৱে ৰজাৰ ওচৰত ছমাহ থাকি পাটবাউসীলৈ উভতি আহিল। কিছুদিনৰ পিছত ৰজাই আকৌ মানুহ পঠিয়াই শঙ্কৰদেৱক নিজৰ ওচৰলৈ লৈ গ'ল। এইবাৰ ৰজাই শঙ্কৰদেৱৰ ওচৰত শৰণ লৈ শিষ্য হ'বৰ ইচ্ছা প্ৰকাশ কৰাত প্ৰথমতে শঙ্কৰদেৱে অনিচ্ছা প্ৰকাশ কৰাতো ৰজাই নেৰাত তেওঁ সন্মত হৈ "আজি ব্ৰতে উপবাসে থাকক, কাইলৈ যি হয় কৰা যাব" বুলি কৈ ৰহালৈ উভতি আহিল। পিছদিনা শঙ্কৰদেৱৰ যোৱাত পলম হোৱাত ৰজাই তেওঁক লৈ যাবলৈ দোলা মানুহ পঠিয়াই দিলে। ৰজাৰ মানুহে দোলা লৈ অহা দেখি শঙ্কৰদেৱে ক'লে যে "বাৰু যাব লাগে যদি ভালকৈয়ে যাম।" এই বুলি তেওঁ হাত মুখ ধুই নতুন কাপোৰ পিন্ধি অশ্বত্থ গছৰ তলত যোগাসনত বহি (১) "পাৰে পৰি হৰি, কৰোঁহো কাতৰি, প্ৰাণ ৰখবি মোৰে। বিষয়-বিষধৰ বিষে জৰ-জৰ, জীৱন নাৰহে থিৰে॥" (২) "মন মেৰি ৰাম চৰণ হি লাগু, তই দেখনা অন্তক আগু॥" (৩) "পামৰ মন ৰাম চিন্তক দেহ। আঁখিৰ জীৱন, ৰাম মাধৱকেৰি নাম মৰণক সম্বল লেহ," এই তিনটা গীত গাই নাম উচ্চাৰণ কৰি ১৪৯০ শকৰ ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিত প্ৰাণ ত্যাগ কৰিলে। শঙ্কৰদেৱৰ এনে মৃত্যুৰ বাতৰি শুনি নৰনাৰায়ণ ৰজাই অনেক শোক কৰি কৈছিল—"মই অধমৰ নিমিত্তেই গুৰুজন চলিল; নতুবা তেখেত আৰু বা কতদিন থাকিলহেঁতেন।" কিছু বেলিৰ মূৰত ৰজাই শোক সংবৰণ কৰি ৰাজভঁৰালপৰা চন্দন কাষ্ঠ ঘৃতাদি বস্তু দিয়াই মহাসমাৰোহৰে শঙ্কৰদেৱৰ দহনাদি কাৰ্য্য কৰালে।

তৃতীয় অধ্যায়

শঙ্কৰদেৱে ভাগৱতী বৈষ্ণৱধৰ্ম্ম প্ৰচাৰ কৰিবৰ নিমিত্তে যিবোৰ গ্ৰন্থ ৰচনা কৰিছিল, তাৰ ভিতৰত কীৰ্ত্তনঘোষায়েই প্ৰধান। শিক্ষিত অশিক্ষিত সত্য

---

* অনন্তৰে যেন ভৈল তাক শুনিয়োক। ৰাজাৰ আগত খল দিলে বিপ্ৰলোক॥
সমস্তে ৰাজ্যক নষ্ট কৰিলে শঙ্কৰ। শূদ্ৰ হয়া নমস্কাৰ লৱে ব্ৰাহ্মণৰ॥
ব্ৰাহ্মণৰ স্ত্ৰীয়ো সেৱা কৰে শঙ্কৰক। ঘৰে ঘৰে দিয়া কুবাৰয় পাদোদক॥
পিতৃৰ গৃহত পুত্ৰ নকৰে ভোজন। বোলে মন্ত্ৰ লস তুই হৰিত শৰণ॥
কৈবৰ্ত্ত কোলতা কোচ ব্ৰাহ্মণ সমস্ত। একে লগে খায় দুধ চিৰা কল যত॥
অনু বাচি জগন্নাথ প্ৰসাদ কৰয়। ই পাৰে সি পাৰে তাক দিয়া কুবাৰয়॥
ব্ৰাহ্মণৰো গুৰু হই দেয় উপদেশ। শয্যা দান আতি যত নৱম বিশেষ॥
যেন শুনি নৃপতিৰ ভৈল কোপমন। মহাক্ৰোধ কৰি ৰাজা বোলয় বচন॥
যেমত অনীতি যিটো ৰাজ্যে প্ৰবৰ্ত্তয়। ছত্ৰভঙ্গ ৰাজাৰ প্ৰজাৰ দুঃখ হয়॥
চাৰি পৰবলি ধাই আন শঙ্কৰক। অনাচাৰ কৰি নষ্ট কৰিলে ৰাজ্যক॥
কৰিবোঁ বিচাৰ এহু হুই নিশ্চে যেবে। ছাইবোঁ দায়া সত্যে শঙ্কৰ ছালে তেবে॥
নিষ্ঠ কৰি বোলোঁ মাংস জেজালে খুৱাইবোঁ। শঙ্কৰ হাড়ে নিশ্চে অপাসি পুৰাইবোঁ॥
যদি মই নৰনাৰায়ণ ৰাজা হওঁ। তেবে শঙ্কৰক নিশ্চয় কৰিবওঁ॥
এহি কথা চিলাৰায় দেৱানে শুনিয়া। চেকাই মাজিক চাই বুলিল মাতিয়া॥
একশত টকাৰ টোপলি দিবোঁ তোক। বান্ধি কৰি শঙ্কৰক আনি দেহ মোক॥....
আনিলেক শঙ্কৰক দেৱানে শুনিল। গৃহহন্তে আথেবেথে ৰজাই আসিল॥
আসিয়াহা বাপু বুলি আলিঙ্গি ধৰিল। সাদৰ কৰিয়া অভ্যন্তৰ মাগি নিল॥
অভিমত শঙ্কৰদেৱ হৰিষে ৰহিল। —দৈত্যাৰি।

তিৰুতা সকলোৱে বুজিব পৰাকৈ অতি গুৱলা অসমীয়া ভাষাত তেওঁ এই অমূল্য গ্ৰন্থ কীৰ্ত্তন ঘোষাখন ৰচনা কৰিছিল। তেওঁ শ্ৰীমদ্ভাগৱত, গীতা, পদ্ম-পুৰাণ, ব্ৰহ্মপুৰাণ আদি শাস্ত্ৰৰ সাৰ উদ্ধাৰ কৰি সঙ্কীৰ্ত্তন কৰিব পৰাকৈ গীতৰ ছন্দত কীৰ্ত্তন পুথিখন কৰিছিল ; আৰু বাস্তৱিকপক্ষত তেওঁ তাত সম্পূৰ্ণ-ৰূপে কৃতকাৰ্য্যও হৈছিল। ধৰ্ম্ম-প্ৰচাৰ, ধৰ্ম্ম-শিক্ষা, আৰু ধৰ্ম্ম-জীৱন গঢ়িবৰ নিমিত্তে ভাৰতবৰ্ষৰ কোনো ভাষাত কোনো প্ৰদেশত আমাৰ এই অসমীয়া কীৰ্ত্তন পুথিখনৰ নিচিনা সৰ্ব্বাঙ্গসুন্দৰ বৃহৎ পুথি ৫০০াই সেইটো আমি ডাঠকৈ কব পাৰোঁ। কীৰ্ত্তনখন শঙ্কৰদেৱৰ ইমান মৰমৰ আছিল যে কছাৰীৰ ভয়ত খেতিয়া তেওঁ আন আন ভক্তসকলেৰে সৈতে লৰা-লৰিকৈ পলাই গৈছিল, তেতিয়া হঠাৎ বাটত তেওঁৰ মনত পৰিল যে কীৰ্ত্তন ঘোষা পুথিখন তেওঁ পাহৰি ঘৰতে এৰি থৈ আহিল। কথাটো মনত পৰিলতে তেওঁ অকলে উভতি আহি ঘৰ সোমাই কীৰ্ত্তনখন লৈ ওলাব খোজোঁতেই কছাৰীহঁতে তেওঁক বেঢ়ি ধৰিলে, আৰু দুটা কছাৰী মুনিহ তেওঁৰ দুৱাৰ মুখত বাট ভেঁটি ধৰিলে। বিপদ দেখি শঙ্কৰদেৱে ওলাই আহি ৰখুৱা কছাৰী দুটাক ঠেলা মাৰি পেলাই দি ভো-ভো কৰে লৰি পলাই গুচি গল। ১*

কীৰ্ত্তনৰ ৰচনা প্ৰণালী কেনে সুন্দৰ, এবাৰ তাৰ বিষয়বোৰলৈ চকু দিলেই সেইটো হৃদয়ঙ্গম কৰিব পাৰি। ভাষাৰ লালিত্য ছন্দৰ ঝঙ্কাৰ, সুৰৰ লাৱণ্য, ভাৱৰ মাধুৰ্য্য, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শঙ্কৰদেৱৰ কীৰ্ত্তন ৰচিত। তাত প্ৰথমতে ভগৱন্তৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণনা। তাৰ পিছত পদ্মপুৰাণৰ স্বৰ্গখণ্ডৰপৰা নামাপৰাধৰ বৰ্ণনা। ২* এই শাস্ত্ৰ তেওঁ বাৰাণসীৰপৰা পাইছিল বুলি ভণিতাত লেখিছে। ৩* ইয়াৰ পিছত পাষণ্ডমৰ্দ্দন। বেদান্ত, শ্ৰীমদ্ভাগৱত, বৃহন্নাৰদীয়পুৰাণ, পদ্মপুৰাণ, বৃহৎসহস্ৰনাম, সুত-সংহিতা, ইত্যাদি শাস্ত্ৰৰপৰা, বিশেষকৈ শ্ৰীমদ্ভাগৱত বাৰও স্কন্ধৰপৰা সাৰ উদ্ধাৰ কৰি বাছি বাছি যুক্তি প্ৰমাণ দি এই ছোৱা তেওঁ ৰচনা কৰিছিল। শঙ্কৰ-দেৱে সংকীৰ্ত্তনাদি কৰি হৰিভক্তি প্ৰচাৰ কৰিবলৈ ধৰিলত, লোক সকলে ভক্তিৰ ৰস পাই পূজা অৰ্চ্চা আদি ব্ৰাহ্মণসকলৰ দ্বাৰাই বিহিত কাৰ্য্য পৰিত্যাগ কৰি শঙ্কৰদেৱৰ ফালে বেছিকৈ ঢাল লোৱা দেখি ব্ৰাহ্মণসকলে শঙ্কৰদেৱক হিংসা কৰি, তেওঁৰ ভকত সকলক লঘু লাঞ্ছনা কৰি নাম নিন্দা কৰিবলৈ ধৰিলত, বাইকৈ তেওঁলোকক দমন কৰিবৰ নিমিত্তে তেওঁ এই পাষণ্ড-মৰ্দ্দন ৰচনা কৰিছিল। ৪* ইয়াৰ পিছত ধ্যান বৰ্ণনা। তাৰ পিছত শ্ৰীমদ্ভাগৱতৰপৰা অজা-মিলোপাখ্যান, প্ৰহলাদচৰিত্ৰ, গজেন্দ্ৰোপাখ্যান, হৰ মোহন, বলিছলন, শ্ৰীকৃষ্ণৰ শিশুলীলা, ৰাসক্ৰীড়া, কংসবধ, গোপীউদ্ধৱ সংবাদ, কুঁজীৰ বাঞ্ছাপূৰণ, জৰাসন্ধৰে সৈতে যুদ্ধ, কালযৱন বধ, মুচুকুন্দ স্তুতি, স্যমন্ত হৰণ, নাৰদে কৃষ্ণৰ গাৰ্হস্থ্য ধৰ্ম্ম দৰ্শন, বিপ্ৰপুত্ৰ আনয়ন, বিপ্ৰ দামোদৰৰ আখ্যান, দৈৱকীৰ পুত্ৰ আনয়ন, বেদস্তুতি, লীলামালা অৰ্থাৎ শ্ৰীকৃষ্ণৰ জন্মৰপৰা বৈকুণ্ঠ প্ৰয়াণ পৰ্য্যন্ত সংক্ষেপকৈ বৰ্ণনা। ইয়াৰ পিছত ছয় আধ্যা সহস্ৰনাম বৃত্তান্ত, পদ্মপুৰাণৰ অন্তৰ্গত। ৫* এই ছয় আধ্যা ৰত্নাকৰ কন্দলিৰ ৰচনা, শঙ্কৰদেৱে তেওঁৰ কীৰ্ত্তনৰ ভিতৰত ঠাই দিছে। কবিত্ব, শব্দ-যোজনা, আৰু পদৰ লালিত্যত এই ৰচনা নিশ্চয় অতি সুন্দৰ ; গতিকে, শঙ্কৰদেৱে তাক তেওঁৰ অতি মৰমৰ কীৰ্ত্তন পুথিৰ ভিতৰত ঠাই দি সন্মানিত কৰাটোৰ মানে সহজে বুজিব পাৰি। ৰত্নাকৰ কন্দলি আসাম আকাশত শঙ্কৰৰূপী চন্দ্ৰক পৰিবেষ্টন কৰি থকা বৈষ্ণৱ-তৰাসকলৰ ভিতৰৰে এজন আছিল। শুনিতে তেওঁ আৰু ব্যাসকলাই নামে আৰু এজন পণ্ডিত ব্ৰাহ্মণ শঙ্কৰৰ ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰত প্ৰধান সহায়ক আছিল। ব্ৰাহ্মণ কন্দলিয়ে কায়স্থ শঙ্কৰৰ শিষ্যত্ব প্ৰকাশ্যে গ্ৰহণ কৰিছিল নে নাই ক'ব নোৱাৰো, কিন্তু কাৰ্য্যত তেওঁ শঙ্কৰৰ প্ৰতি যে বৰ ভক্তিমান আছিল, আৰু সঙ্কীৰ্ত্তনাদি কৰি ধৰ্ম্মপ্ৰচাৰত শঙ্কৰক বৰ সহায় কৰিছিল, তাত সন্দেহ নাই। সেইদিখে তেওঁ শঙ্কৰৰ

১* "এক কালে আসাৰে মাৰিলে টেঙুৱানি। আসমক ভয়তে পলাইল সবে প্ৰাণী॥
শঙ্কৰো পলায়া গৈলা লোকৰ সমস্ত। কীৰ্ত্তনঘোষা পুথিখন ৰহিল ঘৰত॥
তাক নিবে লাগি একেশ্বৰে আসিলন্ত। আসাৰে বেঢ়িলে বেগে বৰ পণ্ডিতন্ত॥
কছাৰী দুজনি দুয়ো দুৱাৰত থিত। হেন দেখি শঙ্কৰ ভৈলন্ত ভয়ভীত॥
কিমতে পলাইবো মনে মনে আলোচিল॥ ভিতৰৰ পৰা বৰ বেগে লম্ফ দিলা॥
হেন্দোলচিয়া চিত্তে পেলাইলন্ত দুয়োজন। পৰকিলা দুইকো দিয়া বুকুত চৰণ॥
দেখে আচৰিত সবে দিব্য পুৰুষ পলাই। বহ বহ বুলিয়া পাছতে খেদি যায়॥ —দৈত্যাৰি ঠাকুৰ

২* "পদ্ম পুৰাণৰ স্বৰ্গ খণ্ডত। নিৰূপি আছে কলি-ধৰ্ম্ম যত॥
তাক শুনা অতি একান্ত চিত্তে। যাৰ ইচ্ছা আছে ভৱ তৰিবে॥" —কীৰ্ত্তন।

৩* মতবিৰূ নিন্দা মোক মহন্তে। আনিলো শাস্ত্ৰ বাৰাণসী হন্তে॥
তাহাক চাই নিবন্ধিলোঁ পদ। হৰি হৰি বুলি তৰা আপদ॥" —কীৰ্ত্তন।

প্ৰিয়পাত্ৰ হোৱাত শঙ্কৰে যে তেওঁৰ ৰচনা আদৰ কৰি তেওঁৰ গ্ৰন্থৰ ভিতৰত ঠাই দিব তাত আচৰিত কি ? ব্যাসকলায়ে কিন্তু শঙ্কৰৰ ওচৰত শৰণ লোৱাটো স্পষ্টকৈ লেখা আছে। ৬* ৰত্নাকৰ কন্দলিৰ আৰু এটা নাম কবিশেখৰ বা সুকবিশেখৰ আছিল। তেওঁ এই দুই নামকে তেওঁৰ ৰচনাৰ ভণিতাত দিছে। ৭*

ইয়াৰ পিছত ওৰেষা বৰ্ণন। শঙ্কৰদেৱে ব্ৰহ্ম-পুৰাণৰপৰা এই ওৰেষা বৰ্ণন ৰচনা কৰিছে।

৮* এই ওৰেষা বৰ্ণনতে কীৰ্ত্তন সমাপ্ত। শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত হৰিবিলাস আগৰৱালা ডাঙৰীয়াই ছপোৱা কীৰ্ত্তনত শ্ৰীধৰ কন্দলি বিৰচিত "ঘুনুচা কীৰ্ত্তন" বুলি এছোৱা ইয়াৰ পিছত দিয়া হৈছে। হাতে-লেখা অনেক কীৰ্ত্তন পুথিতো কীৰ্ত্তনৰ সামৰণি ঘুনুচা যাত্ৰাত হে কৰা হৈছে। কিন্তু কমলাবাৰী আদি প্ৰধান প্ৰধান মহাপুৰুষীয়া সত্ৰত নাম-প্ৰসঙ্গত এই ঘুনুচা যাত্ৰা ব্যৱহাৰ কৰা নহয়। তাৰ কাৰণ বিচাৰিলে স্পষ্ট দেখিবলৈ পোৱা যায় যে সি বাস্তৱিক কীৰ্ত্তনৰ ভিতৰত সোমাবৰ উপযুক্ত নহয়। তাৰ ৰচনা প্ৰণালী কীৰ্ত্তনতকৈ তল খাপৰ। তাৰ বাহিৰেও কীৰ্ত্তনৰ প্ৰধান লক্ষণেৰে সি বিবৰ্জ্জিত। সেইদেখি সেইছোৱা মহাপুৰুষীয়া ধাই সত্ৰৰ সন্ত-সাধুসকলৰ ব্যৱহাৰৰপৰা স্বভাৱতে বাদ পৰিছে। ঘুনুচা যাত্ৰা প্ৰণেতা ভক্ত কন্দলিৰ প্ৰাৰ্থনা এৰাব নোৱাৰি শঙ্কৰদেৱে যদি তাক কীৰ্ত্তনৰ শেহত ঠাই দিছিল, তথাপি সি কাৰ্য্যত অনাদৰণীয় হৈ পৰিল। বিশেষ ওৰেষা বৰ্ণনতে কীৰ্ত্তন সমাপ্ত হৈছে।

শ্ৰীধৰ কন্দলি বিখ্যাত "কাণ-খোৱা" পুথিৰ ৰচক। মহাভাৰতৰ অশ্বমেধপৰ্ব্বৰ পদ এৱেঁই কৰিছিল। ওপৰত কৈ অহা "ঘুনুচা যাত্ৰা" পুথিও এৱেঁই কৰিছিল। জগন্নাথপুৰাণৰপৰা এই ঘুনুচা যাত্ৰা তেওঁ ৰচনা কৰিছিল বুলি তেওঁৰ ভণিতাত আছে—

"শুনিয়োক নৰ নাৰী হয়া একমন। জগন্নাথ-পুৰাণৰ কথা বিতোপন॥ নাৰদৰ আগে যেবে ব্ৰহ্মায়ে কহন্ত। জগন্নাথ যাত্ৰা ঘুনুচাৰ গৃহাগত॥ মাধৱৰ পাদপদ্ম চিন্তিয়া মনত। মতি অনুসাৰে নিবন্ধিলোঁ পদ যত॥ নিবন্ধিলোঁ শ্লোক অৰ্থ অৱগাই। নকৰিবা নিন্দা মোক শাস্ত্ৰক নাচাই। আনো শাস্ত্ৰ মত আনি মিশ্ৰ কৰি মাজে। পদ্যাৰ্থে ৰচিলোঁ যেবে বুজে সামবাজে"—ঘুনুচা।

শঙ্কৰদেৱৰ চুকুৱাৰ পিছলৈকে কীৰ্ত্তন পুথিখনৰ একো একো ছোৱা একো একো ঠাইত আছিল; গোটেইখন পুথি একে ঠাইতে নাছিল। কেতবোৰ হাজোত, কিছু মান দক্ষিণ কূলত, বৰনগৰত, বৰপেটাত উজানত কালজাৰত আছিল। শঙ্কৰদেৱে তেওঁৰ মৃত্যুৰ কিছুকালৰ আগেয়ে কীৰ্ত্তন পুথিখন গোটাই একে ঠাই কৰিবলৈ মাধৱদেৱক কৈছিল, কিন্তু মাধৱদেৱৰ বেহাৰলৈ যাব লগীয়া হোৱাত, ইচ্ছা থকাতো তেওঁ সেই কাৰ্য্য কৰি উঠিব পৰা নাছিল। মাধৱদেৱ বেহাৰত থাকোঁতেই তেওঁৰ ভাগিনিয়েক ৰামচৰণ ঠাকুৰে প্ৰায় এবছৰ কৃৰি পুথিখন একে ঠাই কৰি বেহাৰত মাধৱদেৱক দিলত মাধৱদেৱে আনন্দত নৃত্য কৰিবলৈ ধৰিলে। ৯* কীৰ্ত্তনৰ ৰচনা প্ৰণালী কেনে সুৱলা, কেনে কবিত্বপূৰ্ণ আৰু সি কেনে (Master-mind) প্ৰতিভাশালী লোকৰ ৰচনা, তাক যি পঢ়িছে সিয়েই সেই কথা ভালকৈ অনুভৱ কৰিছে, অকল আমি নহয়। সুন্দৰ সংক্ষেপ কথাৰে কেনেকৈ তাত ভগৱন্তৰ দশ অৱতাৰ বৰ্ণনা কৰা হৈছে, পঢ়িলে মনত অতুল আনন্দৰ উদ্ৰেক হয়। জয়দেৱৰ

৪* "চণ্ডালে কৰিছে হৰি কীৰ্ত্তন। বুলিয়া নিন্দে যিটো অজ্ঞজন॥
তাক সম্ভাষণ যিজনে কৰে। আজন্মৰ পুণ্য তেখনে হৰে॥
বিষ্ণুৰ গুণ নামে অলঙ্কৃত। অন্ত্যজো যিবা কৰি আছে গীত॥
তাকে নিন্দা কৰে যিটো কুমতি। পুণ্যক নাশি যায় অধোগতি॥"
"হাসে বৈষ্ণৱক যিটো নিষ্ফল। পাছত সমূলকে যায় তল॥
মূৰ্খ হয়া বোলে মই পণ্ডিত। নষ্ট কৰি কৰে আনৰো চিত্ত॥
কিবা বৈষ্ণৱক কৰে ধিক্কাৰ। কাটিবে ভাণ্ডিয়া জিহ্বাক তাৰ॥
ওৰে বাৰাণসী ঠাৱে ঠাৱে। কবিৰ গীত শিষ্টসবে গাৱে॥
তথাপিতো আঁখি কুটিল তাৰ। হৰি কীৰ্ত্তনক কৰে ধিক্কাৰ॥
কৃষ্ণৰ কথাত যিটো ৰসিক। ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক॥
স্মৰোক মাত্ৰ হৰি দিবে ৰাতি। নাৰাছে ভকতি জাতি অজাতি॥
উদ্ধৱে বন্দিলা গোপীৰ ধূলি। আবে মূঢ়জনে নিন্দে কি বুলি॥
তীৰ্থ বুলি কৰে জল‍ ভক্তি। প্ৰতিমাত কৰে দেৱতা বুদ্ধি॥
বৈষ্ণৱত নাই ইসব মতি। সকলো অধম কৃষ্ণ বসতি॥
এনাতে মনে কৰ্ম্মমাত্ৰ কৰি। হৃদয়ে থাকিয়া নিবুৰে হৰি॥
কিবা ভকতক দেখিয়া হাসে। আপুনিও নষ্ট আনকো নাশে॥
কীৰ্ত্তন শুনিয়া নম্যাকে যবে। জানিবা সিতে মহাপাপ কৰে॥
হৰিধ্বনি শুনি বিকল হই। শিৰাত তাৰ লাগে যেন জুই॥
সমস্ত শাস্ত্ৰত কহিলা যাৰ। পাষণ্ডমৰ্দ্দন নাম ইহাৰ॥" —কীৰ্ত্তন

"প্ৰলয় পয়োধিজলে ধৃতবানসি বেদং," ইত্যাদি—সুললিত সংস্কৃত কবিতাৰে হে ইয়াৰ তুলনা হয়। আৰু এটা কথা সদায় দেখা যায়, যে শঙ্কৰদেৱে সংস্কৃত শ্লোকৰ য'ত পদলৈ ভাঙনি কৰিছে, সংস্কৃত-শ্লোকটোৰ যদি দুই চৰণ বা চাৰি চৰণ থাকে, তেন্তে প্ৰায় তেওঁৰ পদবো তেনেকুৱা দুফাকি বা চাৰি ফাকি হে হয়। বিশেষভাৱে তাৰ ভিতৰলৈ নগৈ ডোখৰ-চেৰেকলৈ পাঠকৰ মন আকৰ্ষণ কৰিম।—"প্ৰথমে প্ৰণবো ব্ৰহ্মৰূপী সনাতন। সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ" তাৰ এই আৰম্ভনেই এক মুহূৰ্ত্তৰ ভিতৰতে পাঠকক এজন অনাদি অনন্ত সৰ্ব্বশক্তিমান সৰ্ব্বব্যাপী পৰমব্ৰহ্ম ঈশ্বৰৰ ওচৰলৈ লৈ যায়; আৰু সুললিত হৃদয়স্পৰ্শী গদ্যেৰে; দাঁত-ভাগি-যোৱা দুৰ্ব্বোধ্য দুৰ্লঙ্ঘ্য শব্দসমষ্টিৰে নহয়; অথচ তাত তাৰ লালিত্য, কবিত্ব আৰু ভাৱৰ অলপো ব্যাঘাত নহয়। যেনে,—"ন গঙ্গা ন গয়া সেতুং ন কাশী নচ পুষ্কৰং জিহ্বাগ্ৰে বৰ্ত্ততে যস্য হৰিৰিত্যক্ষৰং দ্বয়ং" ইয়াৰ তেওঁ কৰা পদ—, "হৰি হেন ইটো দুগুটি অক্ষৰ জিহ্বা অগ্ৰে থাকে যাৰ। গঙ্গা গয়া কাশী পুষ্কৰ সেতুক যাইবাক নালাগে তাৰ॥"—"যাহাৰ মুখত থাকে হৰি হেন নাম। গঙ্গা গয়া কাশী পুষ্কৰতো নাহি কাম॥" প্ৰতিভাশালী ওখ শ্ৰেণীৰ পণ্ডিত কবিৰ ৰচনাৰ বিশেষত্বই এই। বৈকুণ্ঠৰ আৰু বৈকুণ্ঠনাথৰ বৰ্ণনা কেনে সুন্দৰ চোৱাঁ,—"বৈকুণ্ঠ নামে আছে মহা থান॥ শাৰী শাৰী ৰত্নে বিমান চয়। বৈদূৰ্য্য হীৰা মৰকতময়॥ চন্দ্ৰ সূৰ্য্য যেন প্ৰকাশে আতি। নাজানি যাত পশি দিন ৰাতি॥ চাৰু সৰোবৰ নিৰ্ম্মল জল। সুগন্ধি পদ্ম শোভে উতপল॥ আছে ৰাজহংস সমূহে ৰঙ্গি লীলায়ে মৃণাল ভুঞ্জে উভৰি॥ পাৰে পাৰিজাত মলয়া বায়। চটকে ত্যজে সুললিত ৰায়॥ ভ্ৰমৰগণে গায়ে হৰি গীত। বৈষ্ণৱগণ শুনি আনন্দিত॥। হেন বৈকুণ্ঠৰ মাজত পাছে। উটিচ্ছ্ৰত ৰত্ন-মন্দিৰেক আছে॥ বৈদূৰ্য্যস্তম্ভ ফটিকৰ বাৰ। মাণিক্য কপাট হীৰাৰ দ্বাৰ। কাটিলা জিঞ্জিৰী সুবৰ্ণাৱলী। বিচিত্ৰ মণি মৰকত স্থলী॥ পদ্মৰাগ ৰত্নে লগাইল চৌভিতি। কোটী সূৰ্য্য যেন গৃহৰ জ্যোতি। বিচিত্ৰ চন্দ্ৰাতপ আছে টানি। আবিল মুৰাৰি মুকুতা মণি। হেন মন্দিৰে ৰত্ন-সিংহাসনে। আছন্ত বসি প্ৰভু নাৰায়ণে॥ চৌপাশে সেৱে পাৰিষদ যত। মৌক্তিক-ছত্ৰ ধৰি ওপৰত॥ ধৱল চমৰে দুপাশে বিঞ্চে। সঘনে সুৰভি কুসুম সিঞ্চে॥ চৰণে অনেক ভকতিভাৱে। উপাসন্ত লক্ষ্মী জগত-মায়ে॥ চৈতন্যময় শুদ্ধ ৰূপ ধৰি। পৰম আনন্দে আছন্ত হৰি॥ অতি চমৎকাৰ ৰূপ বিপুল। কন্দৰ্প কোটী যাক নোহে তুল॥ কোটী ইন্দুসম আছে প্ৰকাশি। স্মৰণে দহয় পাতক ৰাশি॥" (কীৰ্ত্তন)। বৈকুণ্ঠত থকা শ্ৰীকৃষ্ণৰ কেনে ৰূপ ভকতে ধ্যান কৰিব লাগে চোৱাঁ।—"স্থিৰ বুদ্ধি কৰি ভকতজনে। প্ৰত্যেক অঙ্গক চিন্তিব মনে॥ চৰণ-পদ্ম দেখি সুখী হুই। অৰুণ অতি পদতল দুই। অঙ্কুশ পদ্ম ধ্বজ বজ্ৰ যৱ। দেখি চিহ্ন তাতে মিলে উৎসৱ॥ চৰণ-পঙ্কজ আছে প্ৰকাশি। অঙ্গুলিপান্তি তাৰ ভৈল পাসি॥ দেখিয়া ৰত্নৰ পাকৰি নয়॥ প্ৰকাশে তাতে নখ-চন্দ্ৰচয়। ৰতনে উজ্বল উজণ্টি যত। নূপুৰ প্ৰকাশে পাদপৃষ্টত॥ ৰত্নৰ হোড়ৰ জ্বলে জঙঘাত। উৰু কৰিকৰ সম সাক্ষাত॥ কটিত প্ৰকাশে বসন পীত। বান্ধিছে মেখলা ৰত্নে ৰঞ্জিত॥ নাভি-সৰোৰুহ ৰুচিৰ কান্তি। হৃদয়ে প্ৰকাশে শ্ৰীবৎসপান্তি॥ উৰুস্থলে লক্ষ্মী দিলন্ত দেখা। কষটিত যেন সোণৰ ৰেখা॥ পীত বস্ত্ৰে শোভে শ্যামল কায়। তড়িত জড়িত জলদ প্ৰায়॥ ৰহল হৃদয়ে মুকুতা হাৰ। প্ৰকাশে জিলিমিলি পেচন্দাৰ॥ ঢিকিমিকি কৰে ৰত্ন উজ্বলা। আপাদলম্বী গলে বনমালা॥ তাহাৰ মধুগন্ধে হুয়া ভোল। বেঢ়িয়া মধুকৰে কৰে ৰোল॥ চাৰু চতুৰ্ভুজ শোভে সুঠাম। ললিত বলিত নীল মোলান॥ কেযূৰ কঙ্কন বলয়া তাত। প্ৰকাশে নৱ কিশলয় হাত॥ ৰত্নৰ শলাকা অঙ্গুলিপান্তি। আঙুঠিচয় তাতে কৰে কান্তি॥ অৰুণ নখ চন্দ্ৰমাৰ শাৰী। শঙ্খ চক্ৰ গদা পঙ্কজ-ধাৰী॥ গলত গলপতা সাতসৰি। উৰে নৱগুণ

৫* "কৃষ্ণৰ চৰণে কৰি প্ৰণাম। পদ্মপুৰাণৰ সহস্ৰ নাম॥
আমি বিৰচিবোঁ কীৰ্ত্তন আৰ। শুনি পাতকৰ হৱো নিস্তাৰ॥" ৰত্নাকৰ কন্দলি। কীৰ্ত্তন

৬* "প্ৰভাতে কৰিলা স্নান লৌহিত্যৰ জলে। বালিত বসন্ত সৱে মহা কৌতুহলে॥
শঙ্কৰ মাধৱ দুয়ো তহিতে বসন্ত। মাঘ স্নান কৰি সৱে গীতাক শুনন্ত॥
ৰত্নাকৰ কন্দলি পঢ়ন্ত গীতা তত্ত্ব। বিপ্ৰসকলাই মানে অনেক আছয়॥
তাঙ্ক সম গুণী নাই জাতিত ব্ৰাহ্মণ। শঙ্কৰদেৱত তেহোঁ লৈয়াছে শৰণ॥ —দৈত্যাৰি ঠাকুৰ।

৭* "সুকবিশেখৰ তুমি দাসৰ যে দাস। কাতৰ কৰোহোঁ দিয়া চৰণত বাস॥
সুকবিশেখৰে কহে নিশ্চয়। কেহো নকৰিবা আত সংশয়॥
"দ্বিজ কবিশেখৰে কিহলা হেন সাৰ। হৰিনাম লৈয়া সৱে হৱোক নিস্তাৰ।" কীৰ্ত্তন
"ৰত্নাকৰ কন্দলি কহিলা হেন সাৰ। ৰাম নাম বিনা নাই সংসাৰ বিস্তাৰ॥" কীৰ্ত্তন

৮* "গুৰুৰোৰ কীৰ্ত্তনক শুনিয়ো লোকাই॥ শঙ্কৰে ৰচিলা ব্ৰহ্মপুৰাণক চাই॥" কীৰ্ত্তন

পীত উত্তৰী ॥ শ্যামল শৰীৰে শোভে অধিক । ময়ুৰপুচ্ছ যেন চিকমিক ॥ কম্বুকণ্ঠে শোভে কৌস্তভ-মণি । প্ৰভাতে উদিত আদিত্যজিনি ॥ পূৰ্ণচন্দ্ৰ ৰুচি মুখমণ্ডল । কৰ্ণত মকৰ দোলে কুণ্ডল ॥ তাৰ ৰশ্মি জ্বলে গণ্ড পাণ্ডুৰ । ৰুচিৰ চিবুক চাৰু অধৰ ॥ প্ৰবাল ৰত্নে যেন কৰে কান্তি । সুন্দৰ দন্ত মুকুতাৰ পান্তি ॥ সদায় নুগুচে ঈষত হাস । নাসা তিলফুল সম প্ৰকাশ ॥ অৰুণ লোচন পঙ্কজ পাসি । ধনুসম আছে ভ্ৰূৱ প্ৰকাশি ॥ ৰত্নময় কৰে তিলকে কান্তি । কপালে লম্বিত অলকা পান্তি ॥ ৰত্নে শিৰে ৰত্নময় মুকুট । চূড়ামণি ৰত্নে প্ৰকাশে জুট ॥ তাৰ মাজে ৰত্ন পঙ্কজ মালা । উজ্বল মুখ লাগি তাৰ জ্বালা ॥ হেন মনোহৰ ৰূপ নিৰখি । থাকিব সমস্ত অঙ্গক দেখি ॥ মস্তকৰপৰা পদ পৰ্য্যন্তে । নমাইবে মনক দুনাই দেখন্তে ॥ ধ্বজ বজ্ৰ যৱ পঙ্কজ যাৰে । প্ৰদক্ষিণে ননি পৰিব পাৰে ॥” কৃষ্ণৰ এনে কৰিত্বময় ৰূপৰ বৰ্ণনা পৃথিৱীৰ কেইজন কৰিয়ে এনেকৈ অলপ কথাৰ ভিতৰতে কৰিব পাৰে ? তলত দিয়া যমদূতৰ ভয়ঙ্কৰ অথচ অতি চমু বৰ্ণনা পঢ়িলে ভয়ঙ্কৰ যমদূত আগতে থিয় হৈছে যেন লাগে ।—“অনেক অধৰ্ম্ম কৰন্তে বিপ্ৰৰ আয়ু ভৈল সমাপত । ভয়ঙ্কৰ তিনি গোটা যমদূত আগে ভৈল উপগত ॥ হাতে পাশ জৰী, চক্ষু টেৰ কৰি, স্থূলস্তৱ তাৰ অঙ্গ । কৃষ্ণবৰ্ণ কায় দেখি ধাতু যায়, হাতত লোহাৰ ডাঙ্গ ॥ ব্ৰাহ্মণক ধৰি, জীৱ গাত্ৰ কৰি বান্ধিলেক হাতে তুলি । ভয়ে অজামিলে পুত্ৰক ডাকিলে, আইস নাৰায়ণ বুলি ॥” হিৰণ্যকশিপুৰ ক্ৰোধ আৰু তপস্যাৰ সংক্ষেপতে কেনে জ্বলন্ত বৰ্ণনা চোৱাঁ । —“শুনিয়া হিৰণ্যে ভ্ৰাতৃৰ বধ । ক্ৰোধে আৰকত চক্ষু তৰধ ॥ শূলক তুলি গৰ্জ্জি দৈত্যনাথ । দশন কামুৰি ঝঙ্কাৰে মাথ । দানৱগণক মাতে সম্বোধি । মাৰিয়ো ৰবাহক শূলে বিন্ধি ॥....কথায়ে আশ্বাস কৰি দিতকি । তপক মনে গৈল মন্দৰক । আকাশ চাই উৰ্দ্ধবাহু হুই । থাকিল ভূমিক অঙ্গুষ্ঠে ছুই ॥ জটাৰ দীপিতি দেখন্তে ত্ৰাস । প্ৰলয় সূৰ্য্যৰ যেন প্ৰকাশ ॥ ব্ৰহ্মাক চিন্তিয়া আছে মনত । বহি গৈল দিব্য বৰিষ শত ॥ ঢাকিল তনু উই মাটি তুলি । শৰীৰৰ মাংস খাইলে সমূলি ॥ গৰ্জ্জিল তাক চাকি বেৰু জাৰ । তথাপি কটাক্ষ নাহিকে তাৰ ॥ শিৰত ধহ্নি বজাই তমোময় । তাৰ তাপে ভৈল জগতে ভয় ॥ সঘনে ভূমি কম্পে নিৰন্তৰ । খলকিল ত্ৰাসে সাতো সাগৰ ॥ সঞ্চাৰে তাৰা গ্ৰহ অসংখ্যাত । দশো দিশে ভৈল উলকা পাত ॥” তলত দিয়া নৰসিংহৰ মূৰ্ত্তিৰ বৰ্ণনা পঢ়িলে গাৰ নোম শিয়ঁৰি উঠে । যি ভাষাত ভয়ানকৰো এনে বৰ্ণনা হ'ব পাৰে, সেই ভাষা দুখীয়া বুলি কোৱাটোও ভয়ানক কথা । —“ঘোৰ মূৰ্ত্তি ধৰি নৰসিংহ ভৈল বাজ । মহাত্ৰাসে কম্পে দেখি দানৱসমাজ ॥ তপ্ত সুবৰ্ণৰ বৰ্ণ জ্বলে চক্ষু দুই । পৰ্ব্বত সমান কায় আছে স্বৰ্গ ছুই ॥ শৰীৰৰ লোম চন্দ্ৰসম শুক্ল বৰ্ণ । তুলি আছে উৰ্দ্ধক তৰধ দুই কৰ্ণ ॥বাইল মুখ যেন গিৰি গহ্বৰ পৰাই । প্ৰচণ্ড বতাস যেন নিশ্বাস বজাই ॥ প্ৰকাশয় কেশ শিৰে ৰবিৰ কিৰণ । ভ্ৰূকুটিকুটিল মুখ বিকট দশন ॥ লহ লহ কৰে জিহ্বা যেন ক্ষুৰ-ধাৰ । জ্বলে বাহু শতভীক্ষ্ণ নখে চমৎকাৰ ॥ বহল হৃদয় গ্ৰীৱা কৃশ কটি । জিহ্বা মেলি আছে দুই দশন প্ৰকটি ॥” হিৰণ্যকশিপুৰে সৈতে নৃসিংহৰ যুদ্ধবৰ্ণনা । —“মনে নিমৰিষি পাছে গদাক উটচাই । দানৱ-মাতঙ্গ গৈল নৃসিংহক ধাই ॥ নোদেখিস দৈত্যেন্দ্ৰক নৃসিংহৰ পাশে । লুকাই পতঙ্গ যেন অগণিত জাগে ॥ ছিদ্ৰ চাই পাক ফুৰে দৈত্য দুৰাচাৰ । নৃসিংহক দিলে ঘোৰ গদাৰ প্ৰহাৰ ॥ এড়াইলন্ত নৰসিংহে কাতি কৰি কায় । পাঁজৰত ফুৰে দৈত্য পতঙ্গ পৰাই ॥ গদায়ে সহিতে ধৰিলন্ত দিয়া চাম্প । গৰুড়ৰ হাতত বাজিল যেন সৰ্প । এড়াইল হাত দৈত্য আৰিমুৰি কৰি । লীলায়ে এড়িল তাক আপুনি নৃহৰি ।....দৈত্যেশ্বৰে বোলে বল কটালিলোঁ আৰ । কৈক ৰাইৰি নৰসিংহ কৰিবোঁ দোহাৰ ॥ এহি বুলি খাণ্ডা বাৰু ধৰি সেহি চেগে । ভ্ৰম কৰি পক্ষী যেন ধাইল মহাবেগে ॥ ঘোৰ নাদ ত্যাজি অধো উৰ্দ্ধে ফুৰে পাক । বাৰুতে লুকায় কায় নাকলিল তাক ॥ প্ৰহাৰিবে লাগি ছিদ্ৰ চাৱে মহাশূৰ ।....দানৱ ফুৰন্তে ঘেৰে আছে । দেখি খঙ্গে নৰসিংহে পাছে ॥কম্পাই শিৰ কেশৰ উল্লাসি । তুলিলা আটোপে ঘোৰ হাসি ॥ স্বৰ্গকো ভেদিল ঘোৰ বিঙ্গে । বেগে চাম্প দিয়া নৰ-সিংহে ॥ আলগতে দৈত্যক ধৰিল । নাহি মাত চেতন হৰিল ॥ সৰ্পে যেন ধৰিল ইন্দুৰ । নিশবদ

*১ পাছে কতো দিনে, শ্ৰদ্ধা ভৈল মনে, ৰামচৰণৰ জনে । ঠাই ঠাই ঘোষকীৰ্ত্তন আছয়, কৰোঁ আনি এক খানে ॥
কতো আছে হাজো, দক্ষিণ-কূলত কতো বৰনগৰত । কতো বৰপেটা, অসম ৰাজ্যত, কতোহো কামৰূপত ॥
বহুবেক মান ফুৰি একখান কৰিলা ঘোষা কীৰ্ত্তন । মাধৱদেৱক পুনু দেখিবাক গৈলন্ত ৰামচৰণ ॥
মাধৱদেৱে পুথিখন পাই—
“দেখি পুথিখান আনন্দিত মন, তাৰক্ষণে উঠিলন্ত । শিৰত ওপৰে, পুথিখান ধৰি আনন্দতে নাচিলন্ত ॥
বোলা উচ্চ কৰি, কেন উপকাৰী আমাৰ ৰামচৰণ । দেখা দেখা লোক, কহোঁ শুনিয়োক, পূৰ্ব্বে এহি পুথিখান ॥
পায়া সংসাৰক আমি পাসৰিলোঁ, ইটো খানে খানে গৈল । আৰু এক খান কৰিবাক প্ৰতি পূৰ্ব্বে মোৰ মন ভৈল ॥
এতেকে ই ৰাজ্যে আইলোঁ, এক খান কৰিবাক নাপাৰিলোঁ । ৰমাচৰ্ণে আৰু এক ঠাই কৰি মোৰেসে কাম কৰিল ॥
এহিবুলি পুথি মেলি চাহিলন্ত, কৈত কোন কথা আছে । কৈত মিৰা কথা থৈবেলাগে থৈছে, বিচাৰি দেখিলা পাছে ॥”
—দৈত্যাৰি ।

দানৱদলন ।। সাধিবাক লাগি দেৱ কাজ । স্থাবৰ কৰিল তাক ব্যাজ ।। চিত কৰি উকত থাপিল । নখে তাৰ হিয়া বিদাৰিল ।। যেহেন সৰ্পক পাৱে ভিৰি । গৰুড়ে পেলাইল ঠোটে চিৰি ।। চক্ৰ পকাই দৈত্য-অন্তকাৰী । চেলেকন্ত জিহ্বাযে কোৰাৰি ।। কৰ্ধিৰে দিগিব দেহা তই । শিৱত মেৰাইল অন্ত্ৰ দুই ।। দৈত্য জিনি ত্যজিলা অট্টাস । শুনায় দিগ্‌গজ হুয়া ত্ৰাস । ঝঙ্কাৰন্তে শিৱৰ কেশৰ । উৰায় সাৰ বিমান স্বগৰ ।। খনেক সাগৰ শ্বাস লাগি । বেগত পৰ্ব্বত পৰে ভাগি ।। নৃসিংহৰ চৰণৰ গতি । টলবল কৰে বসুমতী নেত্ৰৰ ৰশ্মিৰ ভৈলা ক্ষয় । নিষ্প্ৰভ সমস্ত গ্ৰহগণ ।

ত্ৰিকূট পৰ্ব্বতৰ পৰিপূৰ্ণ বৰ্ণনা পঢ়িলে মুগ্ধ হ'ব লাগে । 'ক্ষীৰসাগৰৰ মাজে ত্ৰিকূট পৰ্ব্বত । প্ৰকাশন্তে আছে তিনি গোটা বেকত ।। সুবৰ্ণ ৰজত লোহা ৰূপে তিনি শৃঙ্গ । চমুত জমক লাগে দেখিতে বিবিধ ।। মান যত শৃঙ্গ ৰত্নে কৰে তিৰিমিৰি । দশোদিশ প্ৰকাশিয়া শোভে উক্ত গিৰি ।। অযুত যোজন যুৰি আছে গিৰিবৰ । উচ্চত দেখিয়া দশ হাজাৰ হাত ।। ক্ষীৰসাগৰৰ ঢউ চৌভিতি উথলে । পখালে পৰ্ব্বত সুশীতল দুগ্ধজলে ।। খানে খানে আছে ভূমি অনেক উদ্যান । ফুলে জকমক গন্ধে নাহিকে সমান ।। নদী নদ অশেষ বিশেষ সৰোবৰ । স্ফটিক নিৰ্ম্মল জল দেখি মনোহৰ ।। বিদ্যাধৰী সবে তাত নামি কৰে স্নান । পখালি শৰীৰ ৰঙ্গে সুগন্ধিত প্ৰাণ ।। পৰম অনুপ্য গন্ধ উথলে সদায় । দশ দিশ যুৰি তাৰ গন্ধ বহি যায় । দেখি সুশোভন বন নৱ উপবনে । যাত নিতে ক্ৰীড়ে দেৱ দিব্য নাৰীগণে ।। শাল তাল তমাল মন্দাৰ পাৰিজাত । চম্পক অশোক আনো পুষ্প অসংখ্যাত ।। আম, জাম, নেমু, জৰা, জামীৰ, খাজুৰী । বেল নাৰিকল তাল তামুল পাকড়ি ।। অগুৰু চন্দন পদ্ম সৰল সোণাৰু । আনো যত তৰু সৱ যেন কল্পতৰু ।। ছয় ঋতু এক স্থানে সমস্ত উদয় । ভ্ৰমৰে গুঞ্জৰে কুলি পঞ্চম পুৰয় ।। বহয় মলয় বায়ু আমোদিত মন । নৃত্য গীত কৰে তেন্ত অপেসৰা গণ । হৰিগুণ গীত গাৱে গন্ধৰ্ব্ব কিন্নৰ ।' আৰ এটাইত এখন উপবনৰ বৰ্ণনা চোৱা ।--'আছে ত্ৰিভুবন দিব্য উপবন দেখিবন্ত বিদ্যমান । ফল ফুল ধৰি জকমক কৰি আছে যত বৃক্ষমান ।। শিৰীষ সেউতী তমাল মালতী নৱঙ্গ বাগী গুলাল । কৰবীৰ বক কাঞ্চন চম্পক ফলভাৰে ভাগে ডাল । শেৱালী নেৱালী পলাশ পাৰলী পাৰিজাত যুতী জাঁই । বকুল বন্দুলী আছে কুলি কুলি তাৰ সীমা সংখ্যা নাই ।। কনোৰ কনাৰী কদম্ব বাবৰী নাগেশ্বৰ সিংহচম্পা । অশোক অপাৰ, দেৱাঙ্গ মন্দাৰ মণিৰাজ ৰাজচম্পা ।। কুন্দ কুৰুবক কেতেকী টগৰ গন্ধে মোহে মহুদুৰ । গুটিমালী ভেণ্টি ৰঙ্গণ বেৰেণ্ডী মৰুৱা মধাই ধুন্তুৰ ।। চন্দন অগুৰু দিব্য কল্পতৰু দেৱদাৰু পদ্ম বসি । প্ৰতি গাছে গাছে ভিত্তা বান্ধি আছে সুবৰ্ণ মাণিকে খচি ।। মণি মৰকত স্থলী নানা মত দীপ্তি কৰে তাৰ কাছে । মহা মনোহৰ দীঘি সৰোবৰ তাৰ মাঝে মাঝে আছে ।। চাৰিও কাখৰে পোৱাল বাখৰে বন্ধাইছে বিচিত্ৰ কৰি । বৈদূৰ্য্যৰ বাটি, স্ফটিকৰ ঘাট, মৰকত খাট খৰি ।। সুবৰ্ণ কমল ভেট উপতল ফুলি ফুলি আছে ৰঙ্গি । শোভে চক্ৰবাক, ৰাজহংস-জাক মৃণাল ভুঞ্জে উভঙ্গি ।। কোণা কঙ্ক বক বিবিধ চটক ভ্ৰমন্ত নিৰ্ভয় ভাৱে । অমৃত সমান জল কৰি পান ত্যজে সুললিত ৰাৱে ।। চাৰিও পাৰত দিব্য পুষ্প যত গন্ধে দশোদিশ বাসে । অনেক ভ্ৰমৰে বেঢ়িয়া গুঞ্জৰে মধুপান অভিলাষে ।। যত দিব্য পক্ষী ফল ফুল ভক্ষি কাঢ়য় সুস্বৰ ৰাৱ । কুহু কুহু ধ্বনি কোকিলৰ শুনি মোহয় মনৰ ৰাৱ ।।"

ওপৰত তুলি দিয়া উজ্জ্বল ললিত বৰ্ণনা দুটোৱে পৃথিৱীৰ সৰ্ব্বশ্ৰেষ্ঠ কবিৰ লেখনীকো সম্মানিত কৰিব পাৰে । যি অসমীয়া ভাষাই এনে বৰ্ণনা হৃদয়ত ঠাই দিছে, সেই অসমীয়া ভাষা সম্পদত নিশ্চয় কুবেৰ । স্বভাৱ বৰ্ণনাৰ অমিয় মাধুৰী পানৰ ৰোতা অসমীয়া কবিসকলে, শঙ্কৰদেৱৰ ৰচিত এই কাব্য-সৰোবৰত চিৰকাল "কোণা কঙ্ক বক বিবিধ চটক"ৰ দৰে নিভয়ে ভ্ৰমি তাৰ "অমৃত সমান জল পান কৰি সুললিত" কবিতাৰ ৰৱ ত্যজি নিজক নিশ্চয় ধন্য কৰিব । শঙ্কৰৰ অমৃতনিস্যন্দিনী লেখনীৰপৰা ওলোৱা এই উপবনৰ জীৱন্ত চিত্ৰৰ তুলনা নাই । যেনে উজু শব্দৰ সমাৱেশ, তেনে ৰচনাৰ লালিত্য, তেনে ছন্দৰ লহৰী । এই বৰ্ণনা পঢ়িলে কোনোবা ভাবতীয় ৰাফেলে (Raphael) আঁকা উপবনৰ চিত্ৰপট যেন লাগে । অসমীয়া ভাষাক শঙ্কৰদেৱে যে কি ৰত্নেৰে বিভূষিত কৰি গৈছে, ভাবিলে শৰীৰ ৰোমাঞ্চিত হয় । সেই দেখি হে কওঁ, যি আসাম দেশত কীৰ্ত্তন পুথিৰ নিচিনা গ্ৰন্থৰ জনম সেই আসাম দেশ সাহিত্যত কেতিয়াও দুখীয়া হ'ব নোৱাৰে , যি ভাষা এনে ৰত্নেৰে খচিত ভাষা সেই ভাষা চিৰ-উজ্জ্বল । কি উচ্চ ভাব, কি প্ৰাৰ্থনা, কি স্তুতি, কি কৰুণা, কি শোক, সকলো বৰ্ণনাতে শঙ্কৰদেৱে সুধা কুটাই গৈছে । শঙ্কৰদেৱে যদি আন কোনো পুথি ৰচনা নকৰিলেহেঁতেন, আৰু আন কোনো কাম নকৰিলেহেঁতেন, তথাপি অকল এই কীৰ্ত্তনখনৰ বাবেই তেওঁ জগতত অমৰ হৈ থাকিলহেঁতেন । কিন্তু আসামে এটো ৰত্ন লাভ কৰিছিল, যে তেওঁ ইয়াৰ বাহিৰেও এনে অনেক পুথি ৰচনা কৰি

গৈছে, অনেক কাম কৰি গৈছে যিবোৰে আসাম-আকাশ অনন্ত কাললৈকে পোহৰ কৰি থ'ব। তেওঁ প্ৰচাৰ কৰা ধৰ্ম্মৰে সৈতে প্ৰীতি নথকা জনৰ নিমিত্তে যদি তেওঁৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্মকো তেওঁলোৰ লেখাৰপৰা বাদ দিয়া যায়, তেন্তেও তেওঁ ৰচা কীৰ্ত্তন, সাহিত্যৰ অমৃত-সমুদ্ৰৰপৰা তেওঁলোৰ কোনোমতে পাৰলৈ উঠিব নোৱাৰে। আসামত যি লোকে তাৰপৰা আঁতৰি থাকিব খুজিব তেওঁ গহন বনত চৰাই পহুৰে সৈতে বাস কৰি চকু মুদি কাণ বহি নাথাকিলে আৰু উপায় নাই, আৰু সেইদৰে থাকোঁতেও, সম্ভৱতঃ দূৰৈত খৰিকটীয়াই বিৰিঙিয়াই গোৱা কীৰ্ত্তনৰ সুমধুৰ পদ তেওঁৰ কাণত নপৰাকৈ নাথাকে। শঙ্কৰদেৱৰ ৰচনাৰপৰা উদ্ধৃত কৰি সৌন্দৰ্য্য দেখুৱাবলৈ গ'লে অন্ত নপৰে। শ্ৰীমদ্ভাগৱতৰ বেদস্তুতিৰ কেনে সুন্দৰ ভাঙনি, চানেকী স্বৰূপে এডোখৰ তলত দিলোঁ,--"বুদ্ধি অহঙ্কাৰে আবৰিলে আতি মহা মূঢ় ভৈলোঁ স্বামী। তোমাৰ অখণ্ড আনন্দ ৰূপক কিমতে জানিবোঁ আমি॥ দীন দয়াশীল, দিয়ো উপদেশ তোমাৰ চৰণে ধৰোঁ। শ্ৰৱণ কীৰ্ত্তন স্মৰণ ভক্তিক সদায় যিমতে কৰোঁ॥ মিছা তৰ্ক-বাদে ভৈল অন্ধকাৰে তাতে ভ্ৰমো মন্দমতি। তযু জ্ঞান-পথ খুজিয়া নাপাওঁ, কৰা হৰি মোৰ গতি॥ তযু গুণ নাম মুখে নাছাৰোক, কৃপা কৰা চক্ৰপাণি। মাধৱ বামন গোবিন্দ বোলন্তে মুকুত হৈবোঁ কৈসানি॥ তুমি সত্য ব্ৰহ্ম, তোমাতে প্ৰকাশে জগত ইটো অসন্ত। জগততে সদা তুমিয়ো প্ৰকাশা অন্তৰ্য্যামী ভগৱন্ত॥ এতেকেসে জ্ঞানীগণে অৱশেষি জগতকে বোলে হৰি। আৰে জগজ্জীৱ তোমাৰ চৰণ ভজোঁ হৃদয়ত ধৰি॥ যত তপ আছে সমস্তে কৰোক পৰোক পৰ্ব্বতে উঠি। সমস্তে তীৰ্থত স্নানিয়া ফুৰোক, বেদক পঢ়োক তুষ্টি॥ যত যজ্ঞ আছে সমস্ত যজোক, কৰোক যোগ অভ্যাস। হৰিৰ কীৰ্ত্তন নকৰি তথাপি নেৰয় মৃত্যুৰ ত্ৰাস॥ নাহি দেহেন্দ্ৰিয়, সমস্ত কৰ্ত্তাৰ শক্তিক ধৰা অকলে। তুমিসি সৰ্ব্বজ্ঞ তুমি সৰ্ব্বকৰ্ত্তা তোমাক সেৱে সকলে॥ যেন চক্ৰবৰ্ত্তী ৰাজাক যোগাৱে সামৰাজে কৰভাৰ। ব্ৰহ্মা আদি কৰি জীৱৰ ঈশ্বৰ তযু পাৱে নমস্কাৰ॥ তোমাৰেসে মায়া কৰ্ম্মে বন্দী হুয়া সংসাৰে ওপজোঁ মৰোঁ। দুখ-সাগৰত ত্ৰাণ কৰা হৰি তোমাৰ চৰণে ধৰোঁ॥ তুমি অন্তৰ্য্যামী সমস্ত লোকৰ তুমি মহেশ্বৰ দেৱ। তুমিসি সৰ্ব্বজ্ঞ নৃসিংহ তোমাক মনে কৰোঁ আমি সেৱ॥ সংসাৰ-চক্ৰৰ কৰৱতে চিৰে নেৰে মহা মোহ ভয়। তোমাৰ চৰণে পশিলোঁ শৰণে ৰক্ষা কৰা কৃপাময়॥ তুমি মহা গুৰু তোমাৰ চৰণে মন যদি লৱে বাস। তোমাৰ কৃপায়ে সবে সিদ্ধি হৈব, মালাগে জ্ঞান অভ্যাস॥ তুমি আত্মা হেন জানিয়া তোমাক চিত্তে ভজে যিটো জন। তুচ্ছ পুত্ৰ দাৰা বিষয় ভোগত নাহি তাৰ প্ৰয়োজন॥ তোমাৰ নামক মুখে ফুৰোঁ গাই, হিয়ে তযু ৰূপ ধৰি। শুনে মানে ধ্বনি পলায় পাতক ডাকি বোলা হৰি হৰি॥" "তোমাৰ চৰণ চিন্তি যথাত ভকত থাকে সেহি পুণ্য সেহি তীৰ্থস্থান। তোমাৰ অমৃত কথা ধাৰায়ে বহয় যথা তাক যিটো কৰ্ণে কৰে পান॥ এবায় সংসাৰ ক্লেশ কুৎসিত বিষয় সুখে তাসম্ভাৰ নুহি অভিলাষ। একবাৰ মাত্ৰ তযু চৰণ চিন্তিলে যিটো, তাৰ সুখ নুহি গৃহবাস॥ অনন্ত জগতখান তোমাত উদ্ভৱ ভৈল সন্ত হেন প্ৰকাশে সদায়। কৰ্ম্মজড় মনুষ্যৰ মন মগ্ন ভৈল তাতে বেদৰ নুবুজে অভিপ্ৰায়॥ তোমাৰ অদ্বৈত ৰূপ, পৰম আনন্দ পদ, তাতে মোৰ মগ্ন হৌক চিত। ভৈলোঁহো দাসৰো দাস, জানি এবে নৰহৰি, আমাক নেৰিবা কদাচিত॥ মুকুট কুণ্ডল যেন সুবৰ্ণৰ ভিন্ন নুহি, মিছা মাত্ৰ নাম ৰূপ যত। অহঙ্কাৰ পঞ্চভূত তোমাত পৃথক নুহি প্ৰভু পৰমাৰ্থ বিচাৰত॥ তোমাত পৰম জ্ঞান মাধৱ দিয়োক মোক যিটো খণ্ড সুখ দুখহীন। নুহি নাৰায়ণ দিয়া শ্ৰৱণ-কীৰ্ত্তন ভক্তি নোহোঁ যেন বেদৰ অধীন॥"

ওৰেষা খণ্ডত ইন্দ্ৰদ্যুম্নৰ স্তুতি,—"মায়াতেসে দেখয় বিবিধ পৰিচ্ছেদ। স্বৰূপত তোমাৰ নাহিকে কিছু ভেদ॥ চৈতন্য স্বৰূপে ব্যাপী এক নিৰঞ্জন। তোমাক বুলিবে দ্বৈত কোন অজ্ঞজন॥ নিশ্চল নিৰ্ম্মল সূক্ষ্মৰূপ যিটো স্বামী। দেৱে নজানন্ত তাক কেনে জানো আমি॥" "লভিলোহোঁ জন্ম প্ৰভু অসংখ্য প্ৰমাণ। পঢ়িলোঁহো বেদশাস্ত্ৰ অনেক পুৰাণ॥ অসন্তোষ সন্তোষক লভিলোঁ অপাৰ। ক্ষয় বৃদ্ধি উদয়ক পাইলোঁ বাৰেবাৰ॥ সংযোগ বিয়োগ শত্ৰু মিত্ৰ বান্ধৱৰ। দেখিলোঁ সংসাৰে পিতৃ মাতৃক বিস্তৰ॥ সুখ দুখ অনুভৱ ভৈল অসংখ্যাত। পাইলোঁ পুত্ৰ ভ্ৰাতৃ জ্ঞাতি অনেক ইহাত॥ বিষ্ঠা মূত্ৰে পচিলোঁ নাৰীৰ উদৰত। গৰ্ভবাস দুখ প্ৰভু পালোঁ নানামত॥ জানিলোঁহো দুখ শিশু যুৱা বৃদ্ধকালে। মৰণ পীড়াক প্ৰভু জানিলোহো ভালে॥ কৃমি কীট হস্তী ঘোৰা মৃগ পশু-পক্ষী। গৰু উট মহিষ পশুক যত দেখি॥ দ্বিজ শূদ্ৰ ধনী দুখী তপস্বী যতেক। ৰাজা ৰাজভৃত্য অন্যো মনুষ্য অনেক॥ সবাৰে গৃহত বাৰে বাৰে ভৈলোঁ জাত। অনেকৰ ভৈলোঁ প্ৰভু ভৃত্য অসংখ্যাত॥ হওঁ কতো দৰিদ্ৰ ধনৰ অধিকাৰী। কতো মোক মাৰে কতোময়ো আছোঁ মাৰি॥ মই আনি কাটোঁ কতো মোক ধৰি কাটে।" "পিতৃ-মাতৃ-ভ্ৰাতৃ-ভাৰ্য্যাৰ সংযোগে কতোহো মিলে সন্তোষ। তাহাৰ বিয়োগে কতো শোকে কান্দো পায়া মহা অসন্তোষ॥....জল যন্ত্ৰ চক্ৰে জৰী বদ্ধ হুয়া খণ্ড ঘট যেনমতে। কতো

উৰ্দ্ধগতি কতো অধোগতি কতোহো থাকোঁ মধ্যতে ॥ কৰ্ম্মে বন্ধ হয়া সংসাৰচক্ৰত সেহিমতে ভ্ৰমন্ত। ভ্ৰমো চিৰকাল, কদাচিত মই দুখৰ নেদেখোঁ অন্ত ॥ মোক শোক তৃষ্ণা আকুল কৰয়, ভৈলোঁ অতি অচেতন। কিবা কৰোঁ আৰে একোকে নাজানো, তোমাত লৈলোঁ শৰণ ॥ তোমাৰ ভকত মই হুওঁ যেবে, জগন্নাথ কৃপা কৰা। সংসাৰসাগৰে মজিলোঁ মাধৱ আমাক প্ৰভু উদ্ধাৰা ॥.... যৈতে যৈতে গৈয়া জন্ম লভো মই আপোন কৰ্ম্মৰ গতি। তৈতে তৈতে হৰি তোমাৰ চৰণে থাকোক দৃঢ় ভকতি ॥... স্তুতি কৰিবাক নোৱাৰে তোমাক ব্ৰহ্মা আদি দেৱগণ। মনুষ্য বুদ্ধিয়ে কোন মতে মই কৰিবো স্তুতি তোমাক ॥ যিটো মূঢ়ভাৱে কৰিলোহো স্তুতি তাক ক্ষমিয়োক মোক। যদি অপৰাধ কৰে তথাপিতো ক্ষমা কৰে সাধুলোক ॥ হেন জানি প্ৰভু হয়োক প্ৰসন্ন তোমাৰ ভকত মানি। ভক্তিভাৱে যিটো কৰিলোহো স্তুতি, সাঙ্গ হোক সবে স্বামী ॥"

কেনে ওখ আৰু জটিল দাৰ্শনিক তত্ত্ব কেনে উজু ভাষাত প্ৰকাশ কৰা হৈছে। কেনে অন্তৰ্নিহিত গভীৰ ভাব গুৰুৱা কথাৰে বাহিৰলৈ উলিয়াই স্তুতিৰ নিজৰা বোৱাই দিয়া হৈছে! শঙ্কৰদেৱৰ প্ৰতিভা-প্ৰদীপ্ত হাতত পৰি দুৰূহ বিষয়ো কেনে সৰল আৰু সুললিত হয়! এনেজন প্ৰতিভাশালী পুৰুষ যদি মহাপুৰুষ নহয়, তেন্তে মহাপুৰুষ কোন?

কীৰ্ত্তনৰ ব্ৰহ্মাস্তুতিৰ এঠাইত আছে—"জ্ঞানপথ এৰি প্ৰভু তোমাৰ কথাক। কাযবাক্য মনে সেৱে যিটো সাধুজনক ॥ যদ্যপি অজিত তুমি তিনিও জগতে। তথাপি তোমাক জিনে সেহিসে ভকতে ॥ মুকুতি ৰসকো গুৰে তোমাৰ ভকতি। তাক এৰি যিটো জ্ঞান-পথে কৰে ৰতি ॥ ক্লেশ মাত্ৰ পাৱে যিটো নিষ্ফল প্ৰয়াসে। বাহানে পতান যেন তণ্ডুলক আশে ॥"

জ্ঞান-পথতকৈও কায-বাক্য মনে সেৱা কৰা ভক্তিৰ পথক শ্ৰেষ্ঠতা দিয়া কথাটো শঙ্কৰৰ লেখনীয়ে কেনে সুন্দৰকৈ প্ৰকাশ কৰিছে। ঈশ্বৰক অকল জানিবলৈ গ'লেই নহয়, কাৰণ সেইটো এক ৰকম অসাধ্য, গতিকে সেই প্ৰয়াস নিষ্ফল; সেই দেখি তেওঁত বিশ্বাস স্থাপন কৰি কায বাক্য মনে তেওঁক ভকতি কৰি সেৱা কৰাই শ্ৰেয়ঃ; কাৰণ ভকতিয়েহে মুক্তিৰসক গুৰায়। বিশ্বাস কৰি ভক্তি কৰিহে ঈশ্বৰ-বস্তুক পোৱা যায়, জ্ঞানময় তৰ্কত নহয়। "বিশ্বাসে পাইবে বস্তু, তৰ্কে বহুদূৰ।"

হৰমোহনত ঋষিসকলে শঙ্কৰৰ বিপৰ্যয় অৱস্থা দেখি—"বিষ্ণু বিষ্ণু স্মৰি সবে চাপৰাইলা মাথ। কিনো বিপৰ্য্যয় ভোল ভৈল গৌৰীনাথ।" শঙ্কৰদেৱৰ শব্দ-যোজনা কেনে স্থানোপযোগী চোৱা। দ্বিতীয় তৃতীয় শ্ৰেণীৰ কবিয়ে ইয়াত গৌৰীনাথ শব্দটো ব্যৱহাৰ নকৰি কিজানি ভূতনাথ বা তেনে আন শব্দ ব্যৱহাৰ কৰিলেহেঁতেন; কিন্তু শঙ্কৰদেৱে জানে যে গৌৰীনাথ শব্দটোহে এই সময়ত (Exp e ssive) অৰ্থপ্ৰকাশক।

"পুষ্পং প্ৰবালোপহিতং যদি স্যান্ মুক্তাফলং
বা স্ফুটবিদ্ৰুমস্থম্।
ততোহনুকুৰ্য্যাদ্বিশদস্য তস্যাস্তাম্ৰৌষ্ঠপৰ্য্যস্তৰুচঃ
স্মিতস্য ॥

* * *

সৰ্ব্বোপমাদ্ৰব্যসমুচ্চয়েন যথাপ্ৰদেশং বিনিবেশিতেন।
সা নিৰ্ম্মিতা বিশ্বসৃজা প্ৰযত্নাদেকস্থ সৌন্দৰ্য্যদিদৃক্ষয়েব।" (কালিদাস)। এনে ৰূপৱতী গৌৰী ঘৰত থাকোতেও যে মহাদেৱে আন স্ত্ৰীৰ ৰূপ দেখি মুগ্ধ হৈছিল, এই কথা "গৌৰীনাথ" শব্দটোৰে শঙ্কৰদেৱে সম্পূৰ্ণৰূপে বুজাই দিলে।

বিপ্ৰপুত্ৰ আনিবাক শ্ৰীকৃষ্ণই অৰ্জ্জুনেৰে সৈতে ৰথত উঠি যাওঁতে—

"ধৰিল উত্তৰ দিশ পথ।
অৰ্জ্জুনে ডাকন্তে যান্ত ৰথ ॥
সাতোখান পৃথিবী এৰাইল।
গৈয়া সাতো সাগৰ চৰাইল ॥
ধৰি মহা মনোজৱ গতি।
গৈলা লোকালোকৰ সিভিতি ॥
প্ৰবেশিলা ঘোৰ অন্ধকাৰে।
ঘোৰা আৰ যাইবাক নাপাৰে ॥
হেন দেখি যোগেশ্বৰ হৰি।
আগক হানিলা চক্ৰ ধৰি ॥
মহা ৰশ্মি পুঞ্জে পোহৰাই।
আগত কিৰণে ফাৰি যায় ॥"

"লোকালোকৰ সিভিতি"ত থকা ঠাইৰ এই উৎকৃষ্ট বৰ্ণনাত ভাবাৰ্থ প্ৰকাশক শব্দযোজনা দেখিলে আচৰিত মানিব লাগে। লোকালোকৰ সিভিতিৰ ঘোৰ অন্ধকাৰত প্ৰবেশ কৰিলত যেতিয়া ঘোৰা আৰু যাব নোৱাৰা হ'ল, তেতিয়া আগলৈ চক্ৰ হানিলে। কোনে? যোগেশ্বৰে। মনোজৱ গতি আৰু লোকালোকৰ সিভিতিৰ অন্ধকাৰ ভেদি পোহৰ উলিৱা কাম যোগবলেৰে বলী যোগেশ্বৰৰ হে; সেইদেখি কৃষ্ণ বা তেওঁৰ আন নামব্যঞ্জক শব্দ ব্যৱহাৰ নকৰি এইখিনিত শঙ্কৰদেৱে যোগেশ্বৰ শব্দ ব্যৱহাৰ কৰিলে। সাধাৰণ কবিয়ে এনেবোৰ (Nice distinction) সূক্ষ্ম প্ৰভেদলৈ দৃষ্টি নাৰাখে।

কীৰ্ত্তনৰ প্ৰহলাদচৰিত্ৰ ছোৱাত শঙ্কৰদেৱে দুই চাৰি উজু কথাৰে চাৰি সিদ্ধৰ এনে বৰ্ণনা দিছে, যে আন কবিয়ে কিজানি পুথিৰ দুপাত পুৰাইহে সেই কাম কৰিব পাৰিলেহেঁতেন। কাল মায়া আদিৰ অধিকাৰী কৃষ্ণ যেনে, কৃষ্ণৰ বৈকুণ্ঠধাম যেনে, তাত ফুৰোঁতা চাৰিজন নিৰ্ম্মায়া ঋষিও তেনে।—"পঞ্চ বৰষীয়া শিশু শঙ্কাশ। নাহিকে বস্ত্ৰ সবে দিগবাস॥ আনন্দে লোকক চাহন্তে ফুৰি। দিনেক দেখিল বৈকুণ্ঠপুৰী॥ দেখিয়া পাছে হেন চাৰি সিদ্ধ। দেখন্তে শিশু বয়গত বৃদ্ধ॥"

বৈকুণ্ঠ পুৰীৰ প্ৰধান লক্ষণ কি?—"বৈকুণ্ঠ নগৰী নিৰুপম। নাহি যাত কালৰ বিক্ৰম॥" বৈকুণ্ঠত কেনে লোক থাকে?—"দূৰতে ধৰ্ম্মক পৰিহৰি। যিটো চিন্তে হৃদি ৰূপ ধৰি॥ নিতান্তে কীৰ্ত্তন মাত্ৰ কৰে। বৈকুণ্ঠত থাকে সিটো নৰে।" বৈকুণ্ঠত বৈষ্ণৱসকলে যে হৰিগুণ গায়েই, ভোমোৰা আৰু চৰাই আদিয়েও গায় আৰু শুনে। "ভ্ৰমৰ-ৰাৱে গাৱে হৰি গীত। যতেক পক্ষী তাতে দিয়ে চিত॥ নকৰে আহাৰ থাকে নিচুকে। কৃষ্ণৰ চৰিত্ৰ শুনে উৎসুকে॥ ....মূৰ্ত্তি ধৰি বেদশাস্ত্ৰগণ। কৰে বেঢ়ি মহিমা কীৰ্ত্তন॥" দুৱৰী দুজনে এনে বৈকুণ্ঠৰ অনুপযুক্ত আচৰণ কৰা যাৱে ঋষি চাৰিজনে তেওঁলোকক ঠিক কথাকে কৈছিল—"বৈষ্ণৱ বোলা তোৰা দুয়োজন। বৈকুণ্ঠবাসীৰ নুহি লক্ষণ। প্ৰশান্তপুৰুষ আনন্দময়। তাহাস্তো তোমৰা কৰা সংশয়॥ পাৰিষদ বোলাই কৰস চটি। নুহিকে বৈষ্ণৱ দুয়ো কপটী। বৈকুণ্ঠৰো আন দুৰ্যশ ৰব।"

বৈকুণ্ঠৰ অধিপতি যদিও নিৰাকাৰ, নিৰ্ব্বিকাৰ তথাপি তেওঁ ভকতৰ অৰ্থে হে মূৰ্ত্তি পৰিগ্ৰহ কৰে—"ধৰিছা মূৰ্ত্তি ভকতৰ পদে॥" তেওঁক ভকতেহে পায়, কৰ্ম্মীয়ে নাপায়। "সমস্ত ভূতৰে যদি তুমি হৃদিগত। তথাপি কৰ্ম্মীৰ মনে নুহিকা ৰেকত॥ ভকতেহে পাৱে খুজি তুমি অন্তৰ্য্যামী।" ঈশ্বৰৰ চৰণত শৰণ লোৱা ভকতে স্বৰ্গসুখ যে নিৰিচাৰেই মোক্ষ প্ৰসাদকো নামাগে। ভকতৰ হেঁপাহ মাত্ৰ ঈশ্বৰৰ নাম শ্ৰৱণ কীৰ্ত্তনত।—"তোমাৰ পাৱত লৈলে বিজনে শৰণ। তযু গুণ নাম কৰে শ্ৰৱণ কীৰ্ত্তন॥ মোক্ষ প্ৰসাদকো প্ৰভু তোমাত নামাগে। ছাৰ স্বৰ্গ-সুখ কোন তাসবাৰ আগে॥ তযু গুণ নাম যদি কৰ্ণে থাকে ভৰি। সদায় বদনে যদি বোলে ৰাম হৰি॥ চৰণকো চিত্তে চিত্তে বিস্তিকো নগণি। নাৰকী জন্মতো তেবে আমাৰ বাঞ্ছনি।"

এফাকি দুফাকি উজু কথাৰেই শঙ্কৰদেৱে কেনে গভীৰ তত্ত্ব সৰলকৈ প্ৰকাশ কৰিছে। অসমীয়া তাহাঁক মহাপুৰুষ শঙ্কৰদেৱে পুথিবীত উন্নত ভাষাবোৰৰে সৈতে সমানে জোৰ মাৰিব পৰা কৰিলে।

চতুৰ্থ অধ্যা

শঙ্কৰদেৱে পাটবাউসীত থাকোঁতে আদ্য দশম পুথিখন ৰচনা কৰিছিল। ৰৰদোৱাৰ গুৰুচৰিত্ৰ পুথিত আছে—"শঙ্কৰদেৱে শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধৰ আগছোৱা ৰচনা কৰি অন্তাইছে, মাত্ৰ আৰু শেষ ছোৱা বাকী আছে; এনেতে এদিন শঙ্কৰদেৱৰ ভোজনৰ সময়ত অনন্ত কন্দলি উপস্থিত হৈ শঙ্কৰদেৱত জনালে 'বাপ! আজি আমি আপোনাৰ উচ্ছিষ্ট ল'বলৈ আহিছোঁ; অনুগ্ৰহ কৰি দিয়ক'। পুৰুষে ইঙ্গিত বুজিব পাৰি ক'লে—আমি এখনি কৰিলোঁ; দুখনি বাকী আছে। শঙ্কৰদেৱে কন্দলিৰ আভ্যন্তৰিক ভাৱ জনা দেখি আচৰিত হৈ কন্দলিয়ে শঙ্কৰদেৱক প্ৰণাম কৰি কলে—'আপুনি সিদ্ধ পুৰুষ, ঈশ্বৰৰ অৱতাৰ, মনুষ্যভাৱে আপোনাক দেখা উচিত নহয়। হে প্ৰভু, কৃপা কৰক, আপোনাৰ প্ৰসাদত যেন আমাৰ মনোভিলাষ পূৰ্ণ হয়। শঙ্কৰদেৱে 'তথাস্তু' বুলি কন্দলিক আশীৰ্ব্বাদ কৰিলে।....এই কথা মাধৱদেৱে শুনি আক্ষেপ কৰি শঙ্কৰদেৱক জনালে,—'আগলৈ সুবিধামতে নচলিব; শ্ৰীহস্তৰ শ্ৰীমুখৰ নিস্ৃত হোৱা হ'লে ভাল আছিল।' শঙ্কৰদেৱে উত্তৰ দিলে,-'কি কৰিবা, ভকতে বাঞ্ছা কৰা ফল দিব লাগে। বাকু আমি এবাৰ দৃষ্টি কৰি দিয়া হ'ব।"

শঙ্কৰদেৱ জীয়াই থাকোতে কিন্তু দশমৰ শেহভাগৰ ভাঙনি অনন্ত কন্দলিয়ে শেষ কৰিব পৰা নাছিল। শঙ্কৰদেৱৰ মৃত্যুৰ পিছত হে যে কন্দলিৰ ৰচনা শেষ হৈছিল সেই কথা কন্দলিৰ দশমৰ শেষৰ ভনিতাত স্পষ্ট :—(শঙ্কৰদেৱ) "কৃষ্ণ স্মৰি নৰ দিহ ভৈল বৈকুণ্ঠত।"

আদ্য দশম ৰচনাৰ পিছতে শঙ্কৰদেৱে মাধৱদেৱ আদিৰে সৈতে দ্বিতীয়বাৰ তীৰ্থলৈ গৈছিল অনুমান হয়। শঙ্কৰদেৱে পুৰীত সমুদ্ৰত স্নান কৰোঁতে সাগৰৰ ঢৌ লোৱাৰ সময়ত "সাগৰফেনি কাপোৰ" পাই সেই কাপোৰৰ একোডোখৰ সকলো ভকতক ভগাই দিছিল, আৰু তাৰে এডোখৰ মাধৱদেৱে দশম পুথি মেৰাই থবলৈ ৰাখিছিল। এই কথাৰ পৰা অনুমান হয় যে দশমখন তেতিয়া নতুনকৈ ৰচনা কৰা পুথি দেখি তাৰ ওপৰত মাধৱদেৱৰ মৰম বেছি হৈছিল। শঙ্কৰদেৱে এইবাৰ ১৫৩৩ খৃষ্টাব্দত তীৰ্থলৈ গৈছিল বুলি আমি পিছত প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছোঁ। তাৰ এবছৰৰ আগয়ে সম্ভৱতঃ দশম আৰম্ভ হৈ এই বছৰত সমাপ্ত হৈছিল। সেই দেখি ১৫৩২ খৃষ্টাব্দৰ পৰা ১৫৩৩ খৃষ্টাব্দৰ ভিতৰতে শঙ্কৰদেৱে তেওঁৰ আগছোৱা দশম ৰচনা কৰিছিল বুলি আমি ধৰিছোঁ।

এইটো ঠিক যে মহাপুৰুষীয়া ধৰ্ম্মৰ চাৰিখন শাই গ্ৰন্থৰ ভিতৰত সেই ধৰ্ম্ম সংস্থাপক শঙ্কৰদেৱৰ দ্বাৰাই ৰচিত কীৰ্ত্তন আৰু দশম শঙ্কৰদেৱৰ ধৰ্ম্মজীৱনৰ আৰম্ভণ আৰু সমাবৰণিৰ ফল। বাৰ স্কন্ধ শ্ৰীমদ্ভাগৱত আৰু গীতা আদি শাস্ত্ৰৰ সাৰ কীৰ্ত্তন পুথি শঙ্কৰদেৱে তেওঁৰ ধৰ্ম্মজীৱনৰ আগছোৱা কালতে ৰচনা কৰিছিল, আৰু বাৰ স্কন্ধ শ্ৰীমদ্ভাগৱতৰ ভিতৰত শ্ৰেষ্ঠতম দশম স্কন্ধৰ আদিছোৱা তেওঁৰ ধৰ্ম্মজীৱনৰ শেহছোৱা কালত ৰচনা কৰিছিল। দশমৰ মাজছোৱা আৰু শেহছোৱা তেওঁ অনন্ত কন্দলিক এৰি দি তাৰ পিছত শ্ৰীমদ্ভাগৱতৰ একাদশ আৰু দ্বাদশ স্কন্ধৰ পদ কৰি ভাগৱত প্ৰচাৰ কাৰ্য্যৰ সামৰণি কৰে। কিন্তু কৃষ্ণজন্মৰ পৰা গোপী-উদ্ধৱ-সংবাদলৈকে সেই কীৰ্ত্তন ছোৱা আদ্য দশমৰ চুম্বক সংগ্ৰহ যেন দেখি; আৰু সেই দেখি কীৰ্ত্তন দশমৰ পিছত ৰচিত হৈছিল যেন ধাৰণা হয়। কিন্তু বাস্তৱিকতে তেনে নহয়। কীৰ্ত্তন হে আগ, দশম আগ নহয়। কীৰ্ত্তনখন বাৰ স্কন্ধ ভাগৱতৰ সংক্ষিপ্ত সাৰ। কীৰ্ত্তনত কুঁজীৰ বাঞ্ছাপূৰণৰ পৰা শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণলৈকেও যি ছোৱা দশমৰ পদ শঙ্কৰদেৱে কৰা নাছিল আৰু যি ছোৱা শঙ্কৰদেৱৰ "চনাৰ" পিছত সমাপ্ত হৈছিল। ইয়াৰ দ্বাৰাই আমি ভালকৈ বুজিব পাৰোঁ যে প্ৰথমতে গোটেই ভাগৱতৰ সংক্ষিপ্ত সাৰেৰে তেওঁ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ, আৰু সেই ধৰ্ম্মমত একেঠাইতে সুবিধাকৈ সকলোকে দিবলৈ তেওঁ কীৰ্ত্তন পুথি ৰচনা কৰিছিল, তাৰ পিছত লাহে লাহে হে তেওঁ ভাগৱতৰ স্কন্ধবোৰৰ বাহুল্যকৈ পদ কৰে। তেওঁৰ দশমৰ ভিতৰত অনেক পদ পোৱা যায় যি শাৰীয়ে শাৰীয়ে কীৰ্ত্তনৰ পদেৰে সৈতে মিলে, আৰু অনেক আছে যাৰ দুটা এটা শব্দৰ বা এফাকিহে লৰচৰ হৈছে। কোনো কোনো ঠাইত কীৰ্ত্তনৰ প্ৰায় একো একো অধ্যায় দশমৰ ভিতৰুৱা হৈ থকা পোৱা যায়। তলত আমাৰ কথাৰ প্ৰমাণ স্বৰূপে দশমৰ পদ কিছুমান তুলি দিলোঁ,—"ৰুক্মিণীক কৰিলাহা প্ৰেমে পৰিহাস। ভৈলন্ত ভয়ত দেৱী প্ৰাণতো নৈৰাশ ॥ চতুৰ্ভুজ হুয়া হৰি তাঙ্ক আঙ্কোৱালি। ৰুক্মিণীক আশ্বাস কৰিলা বনমালী ॥ বহুবিধ হৰি লীলা জগতৰ নাহে। মৰাইলা ৰুক্মক অনিৰুদ্ধৰ বিবাহে" ॥ ....' চক্ৰ ধৰি পেলি গৈলা বাৰাণসী থান। সুদৰ্শিণ পৌণ্ড্ৰকৰ তুমি লৈলা প্ৰাণ" ॥ "বাৱে বীণা বেণু শঙ্খ শিঙ্গাৰ নিশান। কংশ বধিবাক কৃষ্ণ কৰিলা প্ৰযাণ ॥"

"কৈত কিবা আৰে পুৰা দেখিলা অদ্ভুত। সম্বৰে কহিয়ো কথা গান্দিনীৰ সুত ॥ হেন শুনি অক্ৰূৰে বুলিলা বাক্য পাছে। সমস্ত অদ্ভুত প্ৰভু তোমাতেসে আছে ॥" "অক্ৰূৰক পঠায়া গৃহক আগ কৰি। লৈয়া গোপগণ সঙ্গে ৰঙ্গে বাৰ হৰি ॥ পৰম উৎসুকে প্ৰবেশিলা মথুৰাত। সিতো বিভোপন পুৰী দেখিলা সাক্ষাত ॥ ফটিকে গঠিত পুৰ দ্বাৰ নুহি খাট। লাগাই আছে সুবৰ্ণৰ বৃহত কপাট ॥ হেমময় তোৰণ চিৰণে অলঙ্কৃত। চতুৰ্ভিতি গড়খাই দেখি ভয়ভীত ॥ বহুবিধ উদ্যান শোভিত কাছে কাছে। শাৰী শাৰী গৃহসব প্ৰকাশন্তে আছে ॥ হীৰা মৰকত ৰত্নে ৰত্নে ঠাৱে ঠাৱে। শোভা কৰে পাৰাৱত ময়ূৰৰ ৰাৱে ॥" "তাইৰ দুই ভৰি চৰণক আগে ভাস্তি।" ওপৰক তুলি চিবুকত ধৰি হাতে। কৰিলন্ত চমু তিনি ত্ৰৈলোক্যৰ নাথে ॥"

"এহিমতে ৰামকৃষ্ণ ভ্ৰমন্তে পথত। ধনুৰ্যাগশালা পাইলা পুছিয়া লোকত ॥ দেখিলা কংশৰ দিব্য ধনু কৃষ্ণে পাছে। যেন মহেন্দ্ৰৰ চাপ প্ৰকাশন্তে আছে ॥

অপ্ৰযাসে ধনুক কৰিলা দুই খণ্ড। যেন মত্ত মাতঙ্গে ভাঙ্গিলা ইক্ষুদণ্ড ॥ পূৰিল শবদ দশ বিদিশ আকাশ। বজ্ৰৰ পতনে যেন জলে মহা ত্ৰাস ॥ .. দেখিয়া ৰখীয়া সিটো কটক কিটাইল। অস্ত্ৰ শস্ত্ৰ ধৰি ক্ৰোধে মাধৱক ধাইল ॥ বেঢ়িলেক চতুৰ্ভিতি ধৰ মাৰ বুলি। খণ্ডে ভগা ধনু ৰাম কৃষ্ণে লৈলা তুলি ॥ প্ৰভাৱ প্ৰগলভ ৰূপ দেখি নিৰুপম। সবে বোলে ইটো দুই দেৱতো উত্তম ॥ অনন্তৰে সূৰ্য্যে পাইলা অস্তগিৰি গই। নিৰৰ্ত্তিলা ৰামকৃষ্ণ গোপগণ লই ॥ নগৰৰ বাজত ৰহিলা বাসা কৰি। পাছে ৰামকৃষ্ণ দুই পখালিলা ভৰি ॥ গোপগণ সঙ্গে লৈয়া ভুঞ্জি দধি ভাত। ৰঞ্চিলা ৰজনী সুখে শুতিয়া শয্যাত ॥ ধনুৰ্ভঙ্গ ৰখীয়া সেনাৰ শুনি বধ। নাসে নিদ্ৰা কংস ভৈল ভয়তে তবধ ॥ মিলে নানা বিমঙ্গল চিত্ত নুহি থিৰ। ছাঁয়াতো নেদেখে সিটো আপোনাৰ শিৰ ॥ ধূলি কৰ্দ্দমতো নিজ খোজকো নাকলে। আকাশত দেখো কতো দুই শশী জ্বলে ॥ স্বপনতো আসি ধৰে মৃতকে সাৱটি। বিষক ভোজন কৰে গৰ্দ্দভত উঠি ॥ ওড়ফুল মালা পিন্ধি হুয়া দিগম্বৰ। তৈল ঘসি দক্ষিণক যায় একেশ্বৰ ॥ আনো নানাবিধ বিমঙ্গল দেখে অতি। ভয়তে নাপাইলে নিদ্ৰা কংসে সিটো ৰাতি ॥"—"কৰিলা প্ৰকাশ ৰাম সমে সমজ্যাত। দেখে দশ প্ৰকাৰে কৃষ্ণক সিবেলাত ॥ মালে বোলে কিনো ইটো তনু বজ্ৰসম। অন্যজনে বোলে এন্তে নৰতে উত্তম ॥ মূৰ্ত্তিমন্ত কাম নাৰীসকলে বখানে। আমাৰে সে বন্ধু বুলি গোপগণে মানে ॥ ৰাজাগণে দেখে এন্তে শাস্তা অদভুত। বসুদেৱ দৈৱকী বোলন্ত মোৰ সুত ॥ কংসে বোলে এহি মোৰ মৃত্যু বনমালী ॥ অজ্ঞানী সকলে বোলে ছোট সে ছৱালী ॥ যোগীগণে বোলে এহেন্তেসে ব্ৰহ্মতত্ত্ব। বৃষ্ণিবংশে মানে এন্তে কুলৰ দৈৱত ॥"

"মাৰিলন্ত বাৰ কৃষ্ণে যেবে মহামাল। কোপে কম্পমান আতিশয় কংস কাল ॥...... বলিকবে লাগিলা

মহাক্ৰোধে অন্ধ হুই। কিনো অসজ্জন বসুদেৱ সুত দুই॥ নগৰৰ বাজ কৰি খেদাযো আমাৰ। সমাজত থাকিবাক নলাগে ইহাৰ॥ গুৱালৰ ধনক আগ্ৰহি সব লৈয়ো। দুৰ্ম্মতি নন্দক লোহা লগাই বান্ধি থৈযো। পিতৃ উগ্ৰসেনক এখনে মাৰ নিয়া। নাৰাখিবি আউৰ আৰ যত নগৰীয়া॥ লঘিমা গুণক আশ্ৰইযা কৃষ্ণদেৱে। কংসৰ উচ্চত চাক্ষে উঠিলন্ত ডেৱে। দেখি কংসে আসনৰ উঠি তাৰক্ষণে। ধৰিলেক খাণ্ডা বাক্য যুজিবাক মনে॥ বাৰ ব ফুবাৱে লুমিফ ফিঙ্কাৱে খাণ্ডাক। যেন শেন পোটে আকাশত ফুৰে পাক॥ অচিন্ত্য মহিমা হৰি লীলা নাযে হাসিয়া। আনাগতে কংসক থৰিল চাপ্প দিয়া॥ গুচিল প্ৰভাৱ সব হত ভৈল দপ। গৰুড়ৰ হাতে যেন বন্দী ভৈল সপ॥ বিৰীতি সহিতে চলে ধৰি ঘণ্টা লাবি। উচ্চল চাঙ্গৰ পৰা পেলাইলা আছুৰি॥"

"কৃষ্ণত নিৰাশা হয়া গোপীগবে বালিত নামি দুনাই। কৃষ্ণ দৰশন মনে গীত গাৱে কৃষ্ণৰ গুণ বৰ্ণাই॥ হে কৃষ্ণ তয় জনম নিমিত্তে গোকুল গাম সম্পন্নে। লক্ষ্মীয়ো সাক্ষাতে ব্ৰজত বঞ্চন্ত সুখে আছে সৰ্ব্বস্থানে॥ তোমাতেসে প্ৰাণ সম্পি গোপীচয় চাই ফুৰোঁ দশোদিশ। গুচোব নিকাৰ প্ৰাণৰ বল্লভ দেখা দিয়া জগদীশ॥ শৰত কালৰ বিৰচ পদ্মৰ উদৰৰ শ্ৰীক নিন্দে। হেনয় নেত্ৰৰ কটাক্ষে আমাৰ মাৰিছা তুমি গোবিন্দে॥ নিকিনিলা দাসী ভজিলোঁহো আসি, গীতত হয়া দগধ॥ কটাক্ষে মাৰিলে বধ নালাগে কি? অস্ত্ৰে কাটিলেসে বধ॥'

"দুৰ্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি। ঐত নাথাকিবা তোৰাসব শ্ৰীমতি॥'

"বিদুৰত থাকি কৰে শ্ৰৱণ কীৰ্ত্তন। যাত মোত ভকতি নিৰ্ম্মল হোৱে মন॥ দেখন্তে শুনন্তে সদা হেনা হোৱে মতি। জানিয়া গৃহত থাকি কৰিযো ভকতি॥ হেনয় বিপ্ৰিয় বাণী শুনি গোপীগণ। পাইলেক দুৰন্ত চিন্তা বিবৰ্ণ বদন॥ ওলমাইল মুখ আতি পায়া দুখ ভাৰ। সঘনে নিশ্বাস কাঢ়ে শুকাইল অধৰ॥ চৰণে ভূমিক লেখে দেখে অন্ধকাৰ। নাই স্মৃতি জ্ঞান আতি একো গোপিকাৰ॥"

"শুক নিগততি শুনা ৰাজা মহাশয়। গোপিকাৰ মোক্ষ দেখি নুহিবা বিস্ময়। দ্বেষ কৰি শিশুপালে লভিল মুকুতি। বুদ্ধিক নাপেক্ষে মহৌষধিৰ শকতি॥ . .. বিষ বুলি অমৃতক পীলে যিটো নৰ। নুহিবে কি হেন জানা অজৰ অমৰ॥ যেন তেন মতে মাত্ৰ স্মৰোক সততে। এতেকে মুকুতি পাৱে কহিলোঁ বেকতে॥"

'বন্দি হয়া আছে নন্দে কৃষ্ণক দেখিল॥ লাগিলন্ত কোনে হেন কৰিলন্ত বুলি। বান্ধ মেলি কৃষ্ণক কোলাত লৈল তুলি। কতো গীত গাস্ত নন্দ গোপীৰ বচনে। ছাঁযা-পুতলাক যেন নচাৱে যতনে॥ কেহো বেলা গোপিকাৰ শুনি আজ্ঞাবাণী।··· কোনে ফল লইবে বুলি ডাকিলে পসাৰী। ধান দিয়া হাত পাতি থাকন্ত মুৰাৰি॥ কৃষ্ণৰ হস্তৰ ভৰি দেয় ফল বাঢ়ি। সুৱৰ্ণ ৰত্নে তাইৰ উপচিল পাছি॥'

'অৰ্জ্জুনত লাগি ভৈল উৰল পথালি। কঙ্কাল ফান্দিয়া টান দিলা বনমালী॥'

"দিনেক যশোদা নাৰী নন্দৰ ঘৰিণী। মথিবাক লাগিলা আপুনি দধি আনি॥ সুমৰি পুত্ৰৰ সব বাল্য চৰিত। দধিক মথন্তে যশোদাই গাৱে গীত॥ ক্ষৌম বস্ত্ৰ প্ৰকাশে নিতম্ব পৃথু বটি। সোণাৰ মেখলা তাত বান্ধিয়াছে আঁটি॥ আলোৰন্তে নৰে আতি কুণ্ডল কঙ্কন। পুত্ৰৰ স্নেহত সৱে কম্পে দুয়ো স্তন॥ . . . কৃষ্ণক বান্ধন্ত আতি যশোদা সুন্দৰী। নযুৰিলে দেখন্ত আঙ্গুল দুই ৰশী॥ আন আৰু জৰা সতী তাতে যোৰা দিল। বান্ধি চাৰে গিয়ো দুই আঙ্গুল নাটিল॥ দুনাই যশোদা পুৰিয়া গাৱৰ বলে আটে। দেখে গোপী তথাপি আঙ্গুল দুই নাটে॥ এহিমতে গৃহত পাইলন্ত যত জৰী। আনি আনি জোৰা দিয়া বান্ধন্ত সুন্দৰী॥"

'বৰিষে কণিকা মেঘে ওপৰত গাজে। ফণায়ে ধৰিলা ছত্ৰ আসি সপৰাজে॥' ওপৰত দিয়া দশমৰ এই পদবিলাক কীৰ্ত্তনত থকা পদেৰে সৈতে কেনেকৈ মিলি যায়, যি কীৰ্ত্তন পঢ়িছে সিয়েই দেখিবলৈ পাব।

শঙ্কৰদেৱ ৰচিত দশমৰ ভণিতাবোৰ এনে সুন্দৰ উপদেশপূৰ্ণ যে সেইবোৰ অসমীয়া মানুহৰ মুখে মুখে। উদাহৰণ স্বৰূপে দুটা দিলোঁ— শুনিয়োক সৰ্ব্বজন কৃষ্ণৰ চৰিত। আতপৰে আন পথ্য নাহিকে বনিত॥ লভিয়াছা জন্ম যিটো ব্ৰহ্মাৰো বাঞ্ছিত। জানি যত্নে কৰা পান কৃষ্ণকথামৃত॥ ক্ষণিক শৰীৰ বিলম্বত কাৰ্য্য নাই। চিন্তামণি জন্ম হেৰা হাততে হৰায়॥ নাহিকে চেতন কাল অজগৰে গিলে। ধন জন জীৱন যাইবেক এক তিলে॥ যত দেখা ভাৰ্য্যা পুত্ৰ সবে অকাৰণ। চাই মাত্ৰ থাকে কালে ধৰে যেতিক্ষণ॥ বিষয়ৰ সুখ এক তিলে কৰি চুৰ। যমৰ কিঙ্কৰে ধৰি নিবে যমপুৰ॥ যমৰ মূৰ্ত্তিক দেখি হৰাইবে চেতনা। দুৰ্ঘোৰ নৰকে পেলাই ভুঞ্জাইবে যাতনা॥ হেন জানি কৃষ্ণৰ চৰিত্ৰ কৰা সাৰ। তেবেসে তৰিবা

ঘোৰ সংসাৰ নিকাৰ ॥ বিচাৰি শাস্ত্ৰত পাইলা এহিসে যুগুতি। কৃষ্ণৰ নামেসে সাধে ভুকুতি মুকুতি ॥ কলিৰ পৰম ধৰ্ম্ম জানা হৰি নাম। শঙ্কৰে ৰচিলা ডাকি বোলা ৰাম ৰাম ॥"

"সংসাৰ সাগৰ ঘোৰ, দুখৰ নাহিকে ওৰ, কেৱল তাপত মাত্ৰ মজি। জানি এৰাঁ আন ৰতি, কৰিয়া একান্ত মতি, হয়া পাৰ মাধৱক ভজি ॥ যি লক্ষ্মীত আশা কৰি, সদায় আকুল মন তেহেঁ মহা চঞ্চল সৰ্ব্বথা। বিষয়ৰ যত সুখ, অনন্ত সমস্ত দুখ, তাক যত্ন কৰি মৰে বৃথা। যিটো শৰীৰৰ পদে, অনেক প্ৰবন্ধ কৰে, ইয়ো মহা আপদৰ ঘৰ। যতেক বাঢ়য় ধন, ততেক বাঢ়য় মন, আপদ নাহিক আতপৰ ॥ যতেক আছয় লোক, সবাৰো আগত শোক, দুখময় সকল সংসাৰ। যতেক সুন্দৰী নাৰী, পৰম অনৰ্থ-কাৰী, আতপৰ নাহিক নিকাৰ ॥ আনো যত মনোৰথ, পৰম দুৰ্ঘোৰ পথ, তথাপিতো তাতে মাত্ৰ ৰতি। যিটো আত্মা প্ৰিয়তম, সুখৰ সাগৰ দেৱ, কদাচিতো তাত নাই মতি ॥" ইত্যাদি।

শঙ্কৰদেৱে দশমৰ এটা ভণিতাত নিজৰ বংশৰ এইদৰে চিনাকি দিছে—"ৰৰদোৱা নামে গ্ৰাম, শস্যে মৎস্যে অনুপাম, লোহিতৰ অতি অনুকূল। সেই মহা গ্ৰামেশ্বৰ আছিলন্ত ৰাজধৰ, কায়স্থ কুলত পদ্মফুল। তান পুত্ৰ সূৰ্য্যবৰ, মহা বৰ দেশধৰ, দানী মানী পৰম বিশিষ্ট। যাৰ যশ এভু জ্বলে, জয়ন্ত মাধৱদলৈ, দুয়ো ভাই যাহাৰ কনিষ্ঠ ॥ তান-পুত্ৰ কুলোদ্ধাৰ, ভৌমিক মধ্যত সাৰ প্ৰসিদ্ধ কুসুম নাম যাৰ। তান পুত্ৰ শিশুমতি, কৃষ্ণ পাৱে কৰি নতি, বিৰচিল শঙ্কৰে পয়াৰ ॥"

দশমৰ কিছুমান পদ এনে সুন্দৰ যে অশিক্ষিত সৰ্ব্বসাধাৰণ মানুহেও সেইবোৰ নিতৌ কথা কওঁতে ব্যৱহাৰ কৰি থাকে। যেনে,—"আজি মৃত্যু হৌক, নুহি শতেক অন্তৰ। অৱশ্যে মৰণ আছে সব জগতৰ ॥ কৰ্ম্মৰ অধীন জীৱ তেতিক্ষণে যায়। এৰি পূৰ্ব্ব দেহা আউৰ শৰীৰক পায়। যেন জোকে তৃণ পাইলে এৰে আৰ তৃণ। জীৱন মৰণ স্বপ্নয়েৰে নহি ভিন ॥"

"কিবা দৈৱকীৰ গৰ্ভে পুত্ৰ নোপজয়।
কিবা কংস মৰি আগে যায় যমালয় ॥

কংসো যেৱে মৰৱৰ পুত্ৰ হোৱে জাত। তাৰ হাতে হোৱে কিবা আৰ কল্পপাত ॥"

"চিৰকাল প্ৰাণী একত্ৰে নাথাকে, বিষম দৈৱৰ গতি।"

"প্ৰথম ব্যাধিত যদি নেদয় ঔষধি। পাছে পীড়া কৰন্তে হৰয় সব বুদ্ধি ॥"

অলপ কথাৰ ভিতৰতে দশমত কালীয় হ্ৰদৰ কেনে সুন্দৰ বৰ্ণনা আছে চোৱাঁ। অসমীয়া ওজাই পালীৰে সৈতে যেতিয়া কালী-দমনৰ এইছোৱা হাতেৰে ভঙ্গি দি বিয়াহ গায়, তেতিয়া যে শ্ৰোতা আৰু দৰ্শকৰ মন আকৰ্ষণ কৰিব পৰা কেনে শক্তি তাত প্ৰৱেশ কৰে, যি সেই বিয়াহ গোৱা শুনিছে সি হে অনুভৱ কৰিব পাৰে।

"শুক নিগদতি ৰাজা শুনিয়ো সৰ্ব্বথা। কালীয় হ্ৰদৰ সিটো কি কহিবোঁ কথা ॥ দুৰ্ঘোৰ অগাধ জল ব্যাপিয়াছে সাপে। উতলয় জল বিষ-বহ্নিৰ প্ৰতাপে ॥ ওপৰে উৰন্তে পক্ষী পৰে মৰি মৰি। থলকত যায় জল দূৰক উফৰি ॥ মৰয় তীৰৰ তৰু নালাগে বিলম্ব। তীৰে একগাছি মাত্ৰ তীৰত কদম্ব ॥ পূৰ্ব্বত গৰুড়ে হৰি আনিলে অমৃত। সেহি কদম্বত পৰি ৰহিল কিঞ্চিত ॥ অমৃতৰ পৰশ পাইলেক সিটো গাছে। সিহেতুসে কদম্ব জীয়ন্তে ৰই আছে ॥ কৃষ্ণে পৰশিৰ হেন তাহাৰো লিখিত। তাতেসে নমৰি বৃক্ষ ৰহিল তহিত ॥ পাছে বিষময় সিটো দেখি হ্ৰদখণ্ড। জানিলা কালীয়ো প্ৰভু, প্ৰভাৱে প্ৰচণ্ড ॥ গুণন্ত মনত, সৰ্প দুষ্ট দুৰাচাৰ। দুষ্টক দণ্ডিৱে লাগি মোৰ অৱতাৰ ॥ এই বুলি মাধৱে লখিৱে প্ৰৱন্ধিলা। পীত বস্ত্ৰ তুলি আটি কাচিত বান্ধিলা ॥ আস্ফোট কৰিয়া বাহু ডাম্ফি মাৰি পাছে। উঠিলন্ত গৈ উচচ কদম্বৰ গাছে ॥ টলবল গাছ যেন যায় ভূমিকম্প। দিলা কৃষ্ণে আটোপে হ্ৰদৰ জলে জাম্প ॥ জগতৰ গুৰুভাৰে গাৰিলা প্ৰকাশি। প্ৰচণ্ড শবদে উথলিল জলৰাশি ॥ উৰ্ম্মিৰ আন্দোলে জল প্ৰলম্পিল পুনু। চতুৰ্ভিতি গৈল জল শতধনু ॥ অনন্ত বীৰ্য্যৰ ইটো কোন অদভুত। পাছে আড়ম্বৰে কৃষ্ণে ক্ৰীড়িলা বহুত ॥ দুই বাহু দণ্ডে ডাম্ফি মাৰি মহাৰঙ্গে। উথলান্ত জল যেন প্ৰমত্ত মাতঙ্গে ॥ চোটত আটাস যেন ত্যজে হ্ৰদখণ্ড। যায় দশোদিশ তাৰ শবদ প্ৰচণ্ড ॥" ইত্যাদি।

পঞ্চম অধ্যায়

দশম আৰু কীৰ্ত্তনৰ বাহিৰেও মহাপুৰুষ শঙ্কৰদেৱে আৰু অনেক পুথি ৰচনা কৰিছিল; তাৰ ভিতৰৰ খনচেৰেকৰ মাথোন উল্লেখ ইয়াত কৰিম। ষষ্ঠ স্কন্ধ ভাগৱতৰ আগছোৱা অজামিলোপাখ্যান শঙ্কৰদেৱে কৰিছিল, শেষছোৱা বৃত্ৰাসুৰ বধ অনন্ত কন্দলিয়ে কৰিছিল।

শঙ্কৰদেৱৰ দশম আৰু আন আন পুথিৰ দৰে একাদশ স্কন্ধও সুললিত ভাষাত ৰচিত। উদ্ধৱৰ আগত জ্ঞানযোগ, ক্ৰিয়াযোগ আৰু ভক্তিযোগ

নিৰূপণ, পৰমাৰ্থ নিৰ্ণয়, সত্ত্বাদি গুণৰ বৃত্তি নিৰূপণ, সংখ্যাযোগ কথন, তত্ত্বসম্বন্ধে নানামতৰ বিৰোধ ভঞ্জন, দ্ৰব্যাদিৰ গুণদোষ বিস্তাৰ কথন, মন্ত্ৰ সকলৰ ভেদ নিৰ্ণয়, যতিধৰ্ম্ম নিৰ্ণয়, বৰ্ণাশ্ৰম ধৰ্ম্ম কথন, মহাবিভূতি কথন, অণিমাদি অষ্ট সিদ্ধি কথন, সাধনেৰে সৈতে ধ্যানযোগ বৰ্ণন, সাধুসঙ্গ মহিমা আৰু কৰ্ম্মানুষ্ঠান কৰ্ম্মত্যাগৰ বিধি, বদ্ধমুক্তাদিৰ লক্ষণ, অষ্ট গুৰুৰ বিষয় বৰ্ণন, নিমিনৱসিদ্ধৰ সংবাদ, যদুকুল ধ্বংস, কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ আদি মূল একাদশ স্কন্ধ ভাগৱতত যি যি আছে সেই কঠিন আৰু গভীৰ বিষয়বোৰৰ সাৰাংশ প্ৰাঞ্জল ভাষাত চমুকৈ শঙ্কৰদেৱে তেওঁৰ কৃত একাদশ স্কন্ধত এনেকৈ ৰচনা কৰিছে যে পণ্ডিত মূৰ্খ জ্ঞানী অজ্ঞানী সকলোৱে যেন অনায়াসে সেইবোৰ বুজিব পাৰে। দুৰূহ দুৰ্ব্বোধ্য জ্ঞানৰ কথাৰে মূল একাদশ স্কন্ধৰ একো একো অধ্যায়ৰ সাৰ তেওঁ পাঁচ, ছয় কাঁকি পদেৰে উজুকৈ কৈ দিছে। তলত উদাহৰণ স্বৰূপে কিছুমান তুলি দিলোঁ,—

কৃষ্ণই উদ্ধৱক কৈছে,—"যত দেখ মায়াময় সবে স্বপ্ন সম। হৰিময় দেখি দূৰ কৰা মতিভ্ৰম ॥ জ্ঞান কৰ্ম ভকতি কহিলোঁ কৰি ভাগ। ভকতি পৰম পথ দিলোঁ পৰিচ্ছেদ ॥ ....নাছাৰে কৰ্ম্মক শোক দুঃখে প্ৰতিদিনে। জ্ঞানতো নাহিকে গতি ভকতি বিহনে।...........মইবিনে ভকতে নিচিন্তে কিছু আন। ময়ো ভকতক বিনে নজানোহোঁ আন ॥........মোৰ উদৰত আছে ব্ৰহ্মাণ্ড যতেক। ভকতৰ ধূলা পৰি পৱিত্ৰ প্ৰত্যেক ॥..........লোভ মোহ কাম ক্ৰোধ বিষয় আক্ৰোশে। নোহেঁ। বশ মোৰ ভকতক একো দোষে ॥ তপ জপ সন্ন্যাস পৰম মহাদানে। নাপাৱে আমাক সখি যোগ মহাজ্ঞানে ॥ কেৱলে ভকতি এক মোক কৰে বশ্য। কহিলোঁ উদ্ধৱ ইটো তোমাত ৰহস্য ॥"

উদ্ধৱে আকৌ প্ৰশ্ন কৰিছে,—"ভকতি পৰম গতি জানিলোঁ নিশ্চয়। ছেদিয়োক দেৱ দূৰাই মনৰ সংশয় ॥ বিষয়ক পৰম আপদ হেন জানি। তথাপিতো আৰু কিয় নেৰে একো প্ৰাণী ॥ যাৰতে কুকুৰে তেৰে নিগুণ কুকুৰ। তথাপি উচ্ছিষ্ট ভুঞ্জে তাজি নাযায় দূৰ ॥ কাটিলেক আৰতে নিৰ্গত যেন ছাগ। নাৰি পাৰো পাৰ গৰ্ভতীৰ নেৰে নাগ ॥ ....তোমাক নভজি কিয় আত্মাঘাত কৰে ॥'

কৃষ্ণই উত্তৰ দিছে,—"যাৰৰে বোলতে সখি তথা পৰিচ্ছেদ। পঢ়ে মাথে মাত্ৰ বেৰে জানি চাৰি বেদ ॥ কৰিবে নোৱাৰে মোত তথাপি ভকতি। কমলৰ মধে বেৰে মত্তক মজতি ॥ কৰ্ণত কৰৰ কৃষ্ণকথা শোধ্য কৰি। নাহিকে উপায় সখি সৎসঙ্গত সখি ॥ আমাক নপাৱে মহাজ্ঞানী কৰ্ম্মী লোক। সাধু-সঙ্গে অৱশ্যকে বশ্য কৰে মোক ॥ নপাৱয় মোক যোগ যাগ যজ্ঞ দানে। মহামন্ত্ৰ জপি কোটি শত তীৰ্থ স্নানে ॥ নপাৱে আমাক একাদশী উপবাসে। নকৰয় বশ্য মোক পৰম সন্ন্যাসে ॥ আন কৰ্ম কৰিয়া মিছাত মৰে লোক। ভকতৰ সঙ্গে শেষে মাত্ৰ জানে মোক ॥......দেৱতো তীৰ্থতো কৰি ভকতেসে বৰ। ভকতৰ সঙ্গ পালে ছুটে কৰ্ম্মজড় ॥...........এক মোত মাত্ৰ তুমি লয়োক শৰণ। নকৰিবা ভয় মই কৰিবোঁ ৰক্ষণ ॥......সৰ্ব্ব ধৰ্ম্ম এৰি এক শৰণ সাক্ষাত।* সুহৃদ বিশ্বাস সখি লৈয়োক আমাত ॥"

উদ্ধৱে শুধিছে—"হে প্ৰাণনাথ মোক কহিয়ো বুজাই। ঋষি সকলৰ কিয় এক মতি নাই ॥ কেঁহো বোলে কৰ্ম্মে, কেহোঁ বোলে জ্ঞানে গতি। তোমাৰ সম্মত পথ পৰম ভকতি ॥ এক বেদ বাক্য কিয় মত ভৈল ভেদ। কিস্করৰ কেশৱ সংশয় কৰা ছেদ ॥"

কৃষ্ণই উত্তৰ দিছে—"..........যাৰ যেন মতি কৰে বেদক ব্যাখ্যান। নিজ অৰ্থ ভকতিক ত্যজি বুজে আন ॥ কেহোঁ বোলে বেদে কৰে যজ্ঞ ব্ৰত দান। কতো বোলে ক্ষুদ্ৰ দেৱ পূজা তীৰ্থস্নান ॥ কতো বোলে বেদে কহে জ্ঞানতেসে গতি। গুণৰ ইচ্ছাৱে বুজে যাৰ যেন মতি ॥ কতো মন্দমতি শাস্ত্ৰ নকৰে বিচাৰ। কৰে ধৰ্ম্ম কৰ্ম্ম পূৰ্ব্বপুৰুষ আচাৰ ॥ মৰ কতো আৰু এৰি পাষণ্ডৰ মতি। যায় লোক পাৱয় অধৰ্ম্ম অধোগতি ॥ নাছাৰে কৰ্ম্মক শোক দুখে প্ৰতি দিনে। জ্ঞানতো নাহিকে গতি ভকতি বিহনে ॥"

"জ্ঞান গতি কয় বেদ, লৈয়ো তাৰ পৰিচ্ছেদ, আছে জ্ঞান ভকতিৰ মাজে। ভকতি কৰন্তে জান, আপুনি উপজে জ্ঞান,............ ॥ কৰ্ম্মৰ পুছিলা বাণী, তাক শুনা মহাজ্ঞানী, যিটো নাম নথৰে আমাৰ। জনম গোৱাই বৃথা শুনে আমাৰ কথা, তাৰেসে কৰ্ম্মৰ অধিকাৰ ॥ দুষ্ট চিত্তে যিটো জন, কথা বৃথা বৃথা মন, তাৰ কৰ্ম্ম সকলো বিফল। তিলেকো নাথাকে ৰই, তেতিক্ষণে যায় বই, এড়ঙ্গ ৰকৰ যেন জল ॥ ইটো কথা সাৰোদ্ধাৰ, জানিবা কৰ্ম্মত আৰ, নকৰিবা বিশ্বাস কিঞ্চিত। শ্ৰৱণ কীৰ্ত্তন কৰা, সুখে সংসাৰক তৰা, দিয়া মোৰ চৰণত চিত্ত ॥ তপ জপ যজ্ঞ দানে, যিটো ফল মহাস্নানে, তাৰো বৈৰাগ্যত মহাফল। যিটো হৰিনাম গায়ো যদি মহে দুখ পায়ে, যেথা যাৰে ভকতিৰ বল ॥"

* সৰ্ব্ব ধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ ॥ —গীতা।

উদ্ধৱৰ প্ৰশ্নৰ উত্তৰত শ্ৰীকৃষ্ণই কৈছে—"আন দেৱ ধৰ্ম্মক কৰিয়া পৰিহাৰ। মোতে মাত্ৰ একনিষ্ঠ মতি ভৈল যাৰ ॥ যিজনে জানিলে মই পৰম বান্ধৱ। তাহাক বোলয় শম শুনিয়ো উদ্ধৱ। মোৰ নাম চিন্তাতে যেখনে কৰে ভ্ৰম। জানিবা উদ্ধৱ সখি তাক বুলি দম ॥ মোত চিত্ত দিয়া যিটোজন মহাশয়। হানি অপমান শোক দুখক সহয় ॥ তাৰ নাম ক্ষমা তুমি জানিবা উদ্ধৱ। মোত চিত্ত দিয়া ত্যজে ভোগ অভিলাষ। জানা তাৰ নাম মহা তপ অবিনাশ ॥ সমস্ত জগত যিটো দেখে হৰিময়। তাৰ নাম সত্য সখি জানিবা নিশ্চয় ॥ মোক জানি যিটো-জনে ত্যজে কৰ্ম্মমল। তাকেসে বুলিয় শৌচ জানা মহাবল ॥ ঈশ্বৰ জ্ঞানত যিটো দেয় উপদেশ। তাকেসে দক্ষিণা বুলি নাহিকে সন্দেহ ॥ তাকেসে বুলিয়া জ্ঞান দেখে হৰিময়। মোৰ জানি যিটো আন যত নিবৰ্ত্তন ॥ জানা যিটো ইটো কৰ্ম্ম ধৰ্ম্ম মোৰ বন্ধ। তাৰ এৰি কৰে মোৰ সেৱাৰ প্ৰবন্ধ ॥ নপঢ়িলে শাস্ত্ৰ একো নপাৰে খণ্ডিত। তথাপি জানিবা সবে সহিতে পণ্ডিত ॥

আমাক চিন্তাৰ যিটো গুৰু কৃপাময়। সমিসে পৰম বন্ধু জানিবা নিশ্চয় ॥ মোত চিত্ত দিলে যিটো আনন্দ মিলয়। সেহি স্বৰ্গসুখ সখি জানিবা নিশ্চয়। কাম ক্ৰোধে অন্ধ যেবে কৰে পুৰুষক। মোৰ পাসৰিলে মিলে ক্ষণেকে নৰক ॥ মোহোৰ সেৱাৰ যোগ্য মনুষ্য শৰীৰ। তাকেসে বোলয় গৃহ জানা মহাবীৰ ॥ নকৰে ভকতি মোত তুষ্ট নাহি যাৰ। তাকে বুলি দৰিদ্ৰ অধম কুলাঙ্গাৰ। ভকত যথাত থাকে সেহি পুণ্যভূমি।' মোৰ কথা যথাত নিগুণ সেহি থান। ঈশ্বৰক জানিলে নিৰ্গুণ হোৱে জ্ঞান ॥ বোলয় নিৰ্গুণ শ্ৰদ্ধা মোহোৰ সেৱাৰ। নিৰ্গুণ গতিৰ পাৱে ভকতে আমাৰ ॥.... ভকতৰ সঙ্গ সদা লৈয়া প্ৰথমত। শ্ৰৱণ কীৰ্ত্তন মোৰ কৰিবা সতত ॥ অনেক একত্ৰ হুয়া কৰি হৰি ৰৱ। কৰিবা আমাৰ মহা যাত্ৰা মহোৎসৱ ॥ মোৰ যশ গায়া যিটো-জনে ফুৰে নিত্য। নাহি তাৰ চিন্তা সিটো ভৈল কৃতকৃত্য ॥ বাৰে হাততালি যিটো কৰিয়া কীৰ্ত্তন। মোৰ প্ৰেম ভাৱত আন্দোল কৰে মন। যাও সত্যে সত্যে সখি তাহাত বিক্ৰয় ॥

'মোকেসে দেখিবে মাত্ৰ সমস্ত প্ৰাণীত ॥ আপোনাত দেখিবে ঈশ্বৰ অন্তৰ্য্যামী। জ্ঞানদৃষ্টি কৰি মোক ফুৰিবা প্ৰণামি ॥ ব্ৰাহ্মণ চণ্ডাল নিবিচাৰি জাতি কুল। মিত্ৰত বৈৰত যাৰ দৃষ্টি এক তুল ॥ নীচত সাধুত যাৰ ভৈল এক জ্ঞান। তাকেসে পণ্ডিত বোলে সিসে সৰ্ব্বজ্ঞান ॥ কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মা ৰাম। জানিয়া সবাকো পৰি কৰিবা প্ৰণাম ॥ সমস্ত ভূতত কৃষ্ণ বুদ্ধি নহে যেবে। কায়বাক্যমনে অভ্যাসিবা এহি ভাৱে ॥ সমস্ত প্ৰাণীক দেখিবাহা মোৰ সম। উপায় মধ্যত ইটো আতি মুখ্যতম ॥"

বঙ্গদেশত যি শ্ৰীমদ্ভাগৱত ছপা হৈছে, তাৰ একাদশ স্কন্ধৰে সৈতে শঙ্কৰদেৱ ৰচিত একাদশ স্কন্ধ মিলাই চালে দেখা যায়, যে শঙ্কৰদেৱৰ পুথিত অনেক কথা আছে, যিবোৰ মূল পুথিত নাই। শঙ্কৰদেৱে হৰিবংশ আৰু প্ৰথম আৰু তৃতীয় স্কন্ধ ভাগৱতৰপৰা সেইবোৰ কথা আনি তেওঁৰ পুথিত সুমাই তাক সম্পূৰ্ণ কৰিছে। শঙ্কৰদেৱে নিজেও সেই কথা স্বীকাৰ কৰিছে— শুনা সভাসদ, ভাগৱত পদ, কথা একাদশ স্কন্ধ। কৃষ্ণে যেনে মতি, দিলন্ত সম্প্ৰতি বিৰচিলো পদবন্ধ ॥ যিৱা প্ৰস্তাৱত, আনো শাস্ত্ৰমত, দিলো কিছু ঠাই। তাক নিনিন্দিবা, বিচাৰি দেখিবা, শাস্ত্ৰ পূৰ্ব্বাপৰ চাই ॥ মোৰ বাক্য বুলি, নেৰিবা সমলি, কৃষ্ণৰ গুণসকল। যদি গঙ্গাজল, কৰ্দ্দমে মিলিল, তাতো আছে মহাফল ॥' প্ৰথম স্কন্ধ ভাগৱতৰপৰা ধৃতৰাষ্ট্ৰৰ সংসাৰ ত্যাগ, অৰ্জ্জুনৰ প্ৰতি যুধিষ্ঠিৰাদিৰ কুশল প্ৰশ্ন, যুধিষ্ঠিৰাদিৰ স্বৰ্গাৰোহণ, তৃতীয় স্কন্ধৰ পৰা উদ্ধৱ-বিদুৰ সংবাদ, মৈত্ৰেয়ৰ ওচৰলৈ বিদুৰৰ গমন, ইত্যাদি কথা শঙ্কৰদেৱে তেওঁৰ একাদশত য'ত যি বহিব লাগে বহুৱাই দি তাক সম্পূৰ্ণ কৰিছে। বাস্তবিক পক্ষত দেখা যায়, যে য'ত য'ত যি যি কথা শঙ্কৰদেৱে তেওঁৰ একাদশত সুমাই দিছে সেইবোৰ কথাই একাদশখন সম্পূৰ্ণ কৰি সৰ্ব্বাঙ্গসুন্দৰ হে কৰিছে মাথোন। যেনে,—মূলত কৃষ্ণই দাৰুকক কৈছে যে "তোমালোক মোৰ আই বোপাইৰে সৈতে অৰ্জ্জুন-ৰক্ষিত হৈ ইন্দ্ৰপ্ৰস্থলৈ গৈ তাত থাকিবা।"

ইয়াৰ পিছত শেহৰ অধ্যায়ত আছে— 'প্ৰিয়তম সখা শ্ৰীকৃষ্ণ বিৰহত কাতৰ অৰ্জ্জুনে যথাৰ্থ বাক্য-সমন্বিত কৃষ্ণগীতি দ্বাৰা নিজক সান্ত্বনা কৰিলে। নিহত নষ্টবংশ বন্ধুসকলক যথাক্ৰমে পিণ্ড জলাদি দিয়ালে। ধনঞ্জয়ে হতাৱশিষ্ট স্ত্ৰী, বালক আৰু বৃদ্ধসকলক লৈ ইন্দ্ৰপ্ৰস্থ সোমাই তাত বজ্ৰক অভিষেক কৰিলে। অৰ্জ্জুনৰ মুখে সুহৃদ্বধ শুনি, হে ৰাজন। (পৰীক্ষিত) তোমাৰ পিতামহসকলে তোমাক বংশধৰ কৰি মহাপ্ৰস্থান কৰিলে।" এই কথাতে মূল একাদশ শেষ হৈছে।

শঙ্কৰদেৱে তেওঁৰ একাদশত, অৰ্জ্জুনে দ্বাৰকালৈ আহি কেনেকৈ শোক কৰিছিল, আৰু তাৰপৰা কৃষ্ণৰ পত্নীসকল, উগ্ৰসেন, বসুদেৱ আদি যাদৱসকলেৰে সৈতে আহি প্ৰভাসত কেনেকৈ মৃতকসকলৰ প্ৰেত কাৰ্য্যাদি কৰাইছিল, আৰু তাতে উগ্ৰসেন, বসুদেৱ, দৈৱকী, ৰোহিণী, আৰু ৰুক্মিণী আদি কৃষ্ণৰ প্ৰধান অষ্ট মহিষীৰ মৃত্যুৰ পিছত বালক, বৃদ্ধ আৰু কৃষ্ণৰ

আন বিধবা পত্নীসকলক লগত লৈ আহোতে বাটতে তেওঁক কিলাই গৰখীয়া গুৱালসকলে কেনেকৈ কৃষ্ণ পত্নীসকলক তেওঁৰ হাতৰপৰা কাঢ়ি লৈ গ'লত সেই পত্নীসকলে প্ৰাণত্যাগ কৰিলে, কেনেকৈ হস্তিনাত অমঙ্গল মিলিছিল, কেনেকৈ যুধিষ্ঠিৰাদি পাণ্ডৱে অৰ্জ্জুনৰ মুখে কৃষ্ণৰ মৃত্যু আৰু তেওঁৰ বংশ ধ্বংসৰ কথা শুনি কান্দি বিয়াকুল হৈ মহাপ্ৰস্থান কৰিলে, কেনেকৈ তাৰ আগেয়ে বিদুৰৰ সৈতে যমুনাৰ তীৰত উদ্ধৱৰ দেখা হৈছিল, আৰু বিদুৰে হস্তিনাপুৰলৈ আহি ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীক লৈ গ'ল, ইত্যাদি বিষয়ৰ বিস্তাৰিত বৰ্ণনা কৰিছে। শঙ্কৰদেৱৰ পুথি পঢ়িলে, ইয়াৰ পিছত অমুকৰ কি হ'ল, তাৰ পাছত তমুকৰ কি হ'ল, এনে আকাংক্ষা অপূৰ্ণ হৈ নাথাকে। শঙ্কৰদেৱে তেওঁৰ নিজৰ কল্পনাৰে সেইবোৰ আনি তাত সুমোৱা নাই; প্ৰথম আৰু তৃতীয় স্কন্ধ আদিৰ পৰা আনি হে তেওঁৰ উপাখ্যান সম্পূৰ্ণ কৰিছে। শঙ্কৰৰ প্ৰতিভাই তেওঁৰ একাদশ মূল একাদশতকৈও উজ্বল কৰিছে। অসমীয়া সৰ্ব্বসাধাৰণৰ অভাৱ আৰু আকাঙক্ষা পূৰাবলৈ, সকলোৱে গোটেই আখ্যানটো একে ঠাইতে পাই পৰিতৃপ্তি লভিবৰ নিমিত্তেহে তেওঁ তেনে কৰিছিল।

শঙ্কৰৰ একাদশত (আৰু কীৰ্ত্তনঘোষাতো) থকা বিদুৰ উদ্ধৱৰ কথা, অৰ্জ্জুন, দৈৱকী, ৰুক্মিণী, যুধিষ্ঠিৰ আদিৰ শোক, দ্বাৰকা আৰু হস্তিনাপুৰত অমঙ্গল ইত্যাদিৰ বৰ্ণনা একো একো ডোখৰ মহামূলীয়া ৰত্নৰ নিচিনা। "কথমপি কৃষ্ণৰ চৰণে এৰি মন। বঞ্চাইলা, উদ্ধৱ পাইলা গাৱত চেতন॥ ত্যজিলা নিশ্বাস অতি কৃষ্ণক স্মৰি। হাতে মনছিন চক্ষু চিত্ত থিৰ কৰি॥ কৃষ্ণক বিৰহ-বহ্নি দহে দেহা প্ৰাণ। কান্দিয়া দিলন্ত বিদুৰক সমিধান॥ কিবা কথা গোধা সখি দেখোঁ অন্ধকাৰ। কৃষ্ণ-সূৰ্য্য অস্ত গৈলা প্ৰাণ যে আমাৰ॥ কাল সপে দংশিলেক সুহৃদসকল। কি কহিবো সখি আৰু আমাৰ কুশল॥ ....যাদৱ কুলৰ কিবা মিলিল অভাগ। নাজানিল কৃষ্ণক হাততে পাই লাগ॥ একে লগে কৰে সবে শয়ন ভোজন। ঈশ্বৰ বুলিয়া নাজানিল একজন॥ ক্ষীৰসাগৰত আছিলন্ত শশধৰ। মৎস্যে যেন বোলে ইটো এক জলচৰ॥ সেহি মতে ঈশ্বৰক পায়া যদুগণ। মনে মানিলেক এওঁ জ্ঞাতি একজন॥ ....অপুণ্য প্ৰাণীক অল্প দিয়া দৰিশন। জগতে নিলন্ত যেন লোকৰ লোচন॥"

বিদুৰৰ আগত উদ্ধৱে কৃষ্ণৰ নিৰ্যান সংবাদ দিয়া এই ডোখৰ পঢ়িলে চকুৰ পানী সামৰিব নোৱাৰি। এই বৰ্ণনা যেনে ওখ তেনে মৰ্ম্মস্পৰ্শী।

"পূৰ্ব্বৰতে অৱগৰ্ব্ব নকৰিবা সখি। কাৰ্য্য দেখি থাকিবাহা কালক উপেখি॥"

"বিপুল অগনি ইটো অপাৰ সংসাৰ। শোক দুখ ভয় আত তপত আঙ্গাৰ॥ বিষয় বিষম মাংস আছে আৰ মাজে। তাত ঝাম্প দেই যেন বিৰাল নিলাজে॥"

"কৃষ্ণ পদ পৰশিয়া আসি আছা বাপ। তোক ছুই হওঁ মই পৰম নিষ্পাপ॥ ঐ বাপ উদ্ধৱ সাৱটি ধৰা মোক। শুনি দশ গুণে উথায় উদ্ধৱৰ শোক॥"

"বোলন্ত অৰ্জ্জুনে দেখোঁ হেন বিপৰ্য্যয়। সেই ৰথ ধনু মই সেই ধনঞ্জয়॥ কৃষ্ণ বিনে বৃথা সবে ভৈল বীৰ্য্য বল। ভস্মত ফু দিলে যেন নাই কিছু ফল॥"

"কেন হেন ভৈলা ভাই তোৰ এ অৱস্থা॥ চিৰকাল প্ৰবাসত কিবা পাইলা দুখ। তনু তোৰ নিস্তেজ মলিন দেখোঁ মুখ॥ নকৰিলি প্ৰাণীক ভয়ত পৰিত্ৰাণ। বিপ্ৰক নিদিলি কিবা প্ৰতিশ্ৰুত দান॥ অতিথিক নিদি কিবা কৰিলি ভোজন। সিজিল পাতক কিবা আগম্যাগমন॥ নকৰিলে মান্য জানো তোমাক মহন্তে॥ অধমে জিনিলে কিবা পথত আসন্তে॥"

ওপৰত দিয়া এইবোৰ কেনে সুন্দৰ, কেনে হৃদয়স্পৰ্শী!

শঙ্কৰদেৱে একাদশ স্কন্ধত জটিল কথাবোৰৰ কেনে সৰল পদ কৰিছে, সেই বিষয়ে গুৰু চৰিত্ৰত এটা উল্লেখ থকা কথালৈ মন দিলেই বুজিব পাৰি। কণ্ঠভূষণে শঙ্কৰদেৱক বাদত জিনিবলৈ শাস্ত্ৰ পঢ়িবৰ নিমিত্তে কাশীলৈ গৈ তাত ব্ৰহ্মানন্দ আচাৰ্য্যৰ ওচৰত বেদান্ত পাঠ কৰিছিল। এদিন আচাৰ্য্যই একাদশ স্কন্ধ ভাগৱত পাঠ কৰি ব্যাখ্যা কৰি থাকোঁতে এটা শ্লোকৰ মানে উলিয়াব নোৱাৰি ভাবি থকা দেখি কণ্ঠভূষণে শঙ্কৰদেৱে কৰা একাদশৰপৰা উদ্ধৱ সংবাদৰ ভক্তিযোগৰ পদ মাতি দিলত আচাৰ্য্যই সেই সৰল অৰ্থযুক্ত পদ শুনি সেই পদ কোনে কৰা বুলি সোধাত কণ্ঠভূষণে ক'লে।—"উজান দেশত শঙ্কৰ নামে এজন পুৰুষ শূদ্ৰ কুলত জন্ম ধৰি বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিছে, আৰু শ্ৰীমদ্ভাগৱত শাস্ত্ৰখনি সৰল পয়াৰ কৰি শূদ্ৰই গাব বুজিব পৰা কৰি ভাঙনি কৰিছে।" ব্ৰহ্মানন্দই এই কথা শুনি পূৰ্ব্ব কথা স্মৰণ কৰি কণ্ঠভূষণক ক'লে যে "বিষ্ণুপুৰী সন্ন্যাসীয়ে ৰত্নাৱলী নামে গ্ৰন্থ এখন ৰচনা কৰি মোৰ হাতত অৰ্পণ কৰি কৈছিল যে পুব দিশে "ৰ" কাৰ আদি গ্ৰামত "শ" কাৰ আদি নামে পুৰুষ এজন শূদ্ৰ কুলত ঈশ্বৰাৱতাৰ হ'ব, তেওঁলৈ এই গ্ৰন্থখনি পঠাই দিবা।" এতিয়া তোমাক লগ পালোঁ, তুমি পুথিখনি লৈ তেওঁৰ ওচৰলৈ যোৱা।

তেওঁৰ বাদত তুমি কেতিয়াও পৰাস্ত কৰিব নোৱাৰা ; সেইদেখি আৰু পঢ়াৰ আৱশ্যক নাই ; তেওঁৰ সমাপত থাকিলেই তোমাৰ সকলো জ্ঞান লাভ হ'ব।"

দশমৰ নিচিনাকৈ একাদশতো কীৰ্ত্তন-ঘোষা পুথিৰ ভিতৰুৱা পদ অনেক আছে ; সেইবোৰ দেখুৱাবলৈ গলে কথা অনেক বাঢ়ি যায় দেখি একাদশ স্কন্ধৰ কথা আমি এই খিনিতে ওৰ পেলালোঁ।

ষষ্ঠ অধ্যায়

শঙ্কৰদেৱৰ একাদশ স্কন্ধ আদি আন আন পুথিৰ ৰচনাৰ বিষয়ে যি কথা কোৱা গৈছে, "দ্বাদশতো" সেই কথাই খাটে। দ্বাদশত—"যুগৰ লক্ষণ যুগধৰ্ম্ম চাৰি বিধ। কহিলা কলিত একো ধৰ্ম্মে নাহি সিধ॥ অধৰ্ম্মে কৰিবে আসি কলিত বিপ্লৱ। হৰি কীৰ্ত্তনেসে তাৰ পাপ পৰাভৱ॥ চাৰি বিধ প্ৰলয় কহিলোঁ মহাভাগ। পৰীক্ষিত নৃপতিৰ তাতে তনুত্যাগ॥ সৰ্প সত্ৰ, মাৰকণ্ডেয় মায়া দৰিশন। বেদ শাখা ভেদ মহাপুৰুষ লক্ষণ॥" আৰু বাৰও স্কন্ধৰ সাৰ সংগ্ৰহ ইত্যাদিয়েই থকা কথাৰ সংক্ষেপ লেখ। দ্বাদশৰ কিছুমান পদ সংক্ষেপতে আজি-কালিৰ অৱস্থাৰ এনে প্ৰকাশক যে তলত ফাকিচেৰেক তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।—"তাহাৰ স্বভাৱ হৈব তাহাৰে আচাৰ। ধৰিবে চাৰিও জাতি ধৰ্ম্মক বাজাৰ॥"

"একোৰে নাজানে কিছু নাপাবে খণ্ডিত। বহু বক্কী ভৈবে তাক বুলিবে পণ্ডিত॥ ধন জন কিছুৱ নাথাকে যাৰ আতি। সেইজন অসাধু লোকত অসংখ্যাতি॥ পৰম দাম্ভিক যিটো ধনৰ গৰ্ব্বিত। সেহিজন মহা সাধু বোলাইবে লোকত॥......শৰীৰক ঘসিপিসি কৰিবেক স্নান। হৈবেক কলিত অলঙ্কাৰ এহিমান॥ চতুৰ্ভিতি বেঢ়ি মাথে বাখিবেক পাস। কেশতেসে হৈবেক লাৱণ্য নয়লাস॥ নাদবিবে মহাগুৰুস্থানকো হেলাত। বিদূৰৰ জলে তীৰ্থ বুদ্ধি হৈব জাত॥......দান পুণ্য কৰিলে বোহোৰ হৈবে খ্যাতি। হেন দম্ভভাৱে ধৰ্ম্ম আচৰিবে আতি॥ কাহাৰো নুহিবে আউৰ তনু মন শুদ্ধ। ছাগ সম হৈবে ধেনু হৰিবেক দুগ্ধ॥ বতিয়ে আশ্ৰমী হৈব গৃহস্থৰ সম। ভাৰ্য্যাৰ কুটুম্বে হৈব সুহৃদ নিশ্চয়॥.... বানপ্ৰস্থী সন্ন্যাসীয়ো হৈবে গ্ৰামবাসী। মহা ধন-লোভী হৈবে যতেক সন্ন্যাসী॥......বিপ্ৰ নাতি নাউদে কৰিবে কিনা বিকা। জীৱেক সম্পদ কৰি নিন্দিত জীৱিকা॥ উত্তম নায়ক যদি হোৱে কীণবিত্ত। নাদবিবে তাক পুৰাতন যত ভৃত্য॥ যদি ৰোগী ভৈল ভৃত্য অনেক পুৰুষী। দেখি স্বামী সবে তাক এৰিব নুপুষি॥ ধেনুকো ত্যজিব যেবে দুগ্ধ ভৈল হীন। কলিত হৈবেক লোক তিৰী পৰাধীন॥ পিতৃ মাতৃ জ্ঞাতি যত ত্যজিবে সোদৰ। ভাৰ্য্যাৰ কুটুম্ব হৈব সুহৃদ লোকৰ॥ নিজ গোত্ৰ কুটুম্বতো এৰিবেক আশ। ভাৰ্য্যাৰ ভ্ৰাতৃত মাত্ৰ কৰিবে বিশ্বাস॥ শূদ্ৰ সবে ধৰিবেক তপস্বীৰ বেশ। ছদ্মে দান লৈয়া ভ্ৰমিবেক দেশ দেশ॥ মূৰ্খৰ উন্নতি হৈবে কুৰিবে উল্লাসি। ধৰ্ম্ম বখানিবে উচ্চ আসনত বসি॥"

পৰিবৰ্ত্তনশীল জগতত প্ৰতিমুহূৰ্ত্ততে আমাৰ শৰীৰৰ যি পৰিবৰ্ত্তন হ'ব লাগিছে, শঙ্কৰদেৱে তেওঁৰ পদত কেনেকৈ চমুকৈ কৈছে চোৱা।—"যেনে আকাশত চন্দ্ৰ সূৰ্য্য গতি কৰে। তাক লক্ষিবাক নাপাৰয় কোনো নৰে। যেনে নদী সমস্তৰ জল যায় বহি। তথাপি আগতে দেখে নদী আছে বহি॥ এহি মতে ব্ৰহ্মা আদি কৰি যত তৃণ। সবাৰো শৰীৰ ক্ষণে ক্ষণে হোৱে ভিন॥"

ব্ৰহ্মজ্ঞান আৰু ব্ৰহ্মজ্ঞানীৰ বিষয়ে সুগভীৰ তত্ত্বৰ কেনে বিশদ সুন্দৰ বৰ্ণনা, তলত দিয়া কেই-ফাকি পঢ়ি চোৱা। শঙ্কৰদেৱৰ কাপৰপৰা হে জটিল কথাৰ এনে প্ৰাঞ্জল বৰ্ণনা সম্ভৱ। "ব্ৰহ্ম-জ্ঞানী দেখে জগতক ব্ৰহ্মময়॥ বুদ্ধি মন ইন্দ্ৰিয় মহত্ত্ব অহঙ্কাৰ। ব্ৰহ্মত পৃথক নোহে যতেক সংসাৰ॥ ব্ৰহ্ম ব্যতিৰেকে মিছা যত দেখা আন। জৰীত উপজি যেন আছে সৰ্পজ্ঞান॥ জাগন সপোন বুদ্ধিৰেসে বৃত্তিচয়। নানাবিধ দেখা যিটো সবে মায়াময়॥ ক্ষণেকতে ওপজে ক্ষণেকে নাশ হয়। সময়ে অৱস্থা যেন টাটকৰ নয়॥ যেনে আকাশত মিলে সংহত মেঘৰ। ক্ষণেকে থাকিয়া হোৱে ক্ষণেকে অন্তৰ॥ ব্ৰহ্মতো জগত বাজ্য জানা সেহি নয়। উপজিয়া ব্ৰহ্মত ব্ৰহ্মতে যায় লয়॥ এক ব্ৰহ্ম আছে সৰ্ব্ব দেহত প্ৰকটে। যেনে এক আকাশ প্ৰত্যেক ঘটে ঘটে॥ জলত সূৰ্য্যক যেন দেখি ভিন ভিন। এহি মতে জানিবা ব্ৰহ্মতো ভেদহীন॥ কঙ্কন কুণ্ডল ঘট গঢ়ে হেম হাৰ। একে সুবৰ্ণক দেখি অনেক আকাৰ॥ সেহি মতে এক ব্ৰহ্ম জানে শুদ্ধ সিদ্ধ। অজ্ঞানত বাক্য বোলে তাক বহুবিধ॥ সূৰ্য্যৰশ্মি হোৱে যেন মহা মেঘগণ। সূৰ্য্য-অঙ্গ চক্ষুক তথাপি কৰে ছন্ন॥ ব্ৰহ্মৰ স্বৰূপ অহঙ্কাৰ যদি হয়। ব্ৰহ্ম-অংশ জীৱক তথাপি আৱ-ৰয়॥ যেন মেঘ গৈলে চক্ষু সূৰ্য্যক নিৰখে। অহঙ্কাৰ গুচিলে ব্ৰহ্মকো জীৱে দেখে॥ মায়া এবে আপুনি বুদ্ধিৰ গুচে ভ্ৰম। নিৰ্ম্মল হৃদয় জীৱে দেখে পৰং-ব্ৰহ্ম॥ যি কাৰত জ্ঞান অস্ত্ৰে ছেদে অহঙ্কাৰ। ছিৰে কৰ্ম্ম-বন্ধ ক্লেশে জীৱে আপোনাৰ॥ হৃদয়ত

পৰম আনন্দ হোৱে জাত। পৰিপূৰ্ণ আত্ম হোৱে মনত সাক্ষাত ॥ দেহকো নেদেখে জীৱে হোৱে ব্ৰহ্মময়।”

শোক, মোহ আৰু মৃত্যুভয় দূৰ কৰিবৰ জ্ঞান মহৌষধি,—” নাহি জন্ম পূৰ্ব্বতো অদ্যাপি নোহোঁ জাত। অজৰ অমৰ তুমি আত্মাসে সাক্ষাত ॥ দেহৰেসে ধৰ্ম্ম ইটো জনম মৰণ। দেহৰেসে হন্তে হোৱে দেহ উতপন ॥ দেহতেসে আছা মাত্ৰ তুমি দেহহীন। যেন অগ্নি থাকন্ত কাষ্ঠত কৰি ভিন ॥ যেন ঘট ভাগি গৈলে ঘটৰ আকাশ। আকাশতে লীন যায় নাহি তাৰ নাশ ॥ জনম-মৰণ ইটো দেহৰেসে ধৰ্ম্ম। মনে সৃজে জীৱৰ শৰীৰ গুণ কৰ্ম্ম ॥ মনকো মায়ায়ে সৃজে জানা সাৰেসাৰ। ভ্ৰমৰ কাৰণে হোৱে জীৱৰ সংসাৰ ॥ তৈলমানে শলা বহ্নি সংযোগ যাৱত। দীপ হেন বুলি তাৰে প্ৰকাশে লোকত ॥ দেহ মন কৰ্ম্ম আত্মা যাৱত সংযোগ। তাৰে জীৱ নাম থাকে দুখ কৰি ভোগ ॥ দেহকৰ্ত্তা মনৰেসে জানিবা সংসাৰ। জনম মৰণ একো নাহিক আত্মাৰ ॥ যেহেন সংযোগে গুচে দীপৰ প্ৰকাশ। মহা জ্যোতিঃ ৰূপে অগনিৰ নাই নাশ ॥......মই পৰমাত্মা আৰু নাহিকে সন্দেহ। দেহতেসে আছোঁ মই নুহি ইটো দেহ ॥ যি মই সেহি ব্ৰহ্ম মানা হেন মনে। যি ব্ৰহ্মৰ সেই মই বোলা সৰ্ব্বক্ষণে ॥ এতেকে গুচিবে শোক মোহ মহাৰথ। কহিলোঁ তোমাত ইটো ব্যৱহাৰ পথ ॥......কৃষ্ণৰ চৰণ চিন্তে চিত্ত হৃদয়ত। কৃষ্ণৰেসে অংশ মই মানিবা মনত ॥”

“সবাকো বিয়াপি আছে পুৰুষ-প্ৰধান। জানি হৰি বুদ্ধি কৰে সবাকো সন্মান ॥ কাৰো লগে অতিশয় নকৰি বিবাদ। একোৱে প্ৰাণীক মনে নিদিব বিষাদ ॥ দেহৰ নিমিত্তে এৰিবেক বৈৰ-বুদ্ধি। তেৰেসে কৃষ্ণক পায় চিত্ত হোৱে শুদ্ধি ॥”

মাৰ্কণ্ডেয় ঋষিয়ে মহাপ্ৰলয়ৰ জলত উটি বুৰি ফুৰোঁতে বট-বৃক্ষৰ পাতত শুই থকা যি বাল-মুকুন্দক দেখিছিল, সেই বালমুকুন্দৰ কেনে সুন্দৰ বৰ্ণনা “দ্বাদশত” আছে,—“এহি মতে ভ্ৰমন্তে দেখিল কদাচিত। মহাবটবৃক্ষ ফল পল্লৱে শোভিত ॥ পৃথিবীৰ উন্নত প্ৰদেশে ৰহি আছে। লাহে লাহে সমীপ চাপিল তাৰ পাছে ॥ কিছু কিছু কৰি পাছে দৃষ্টি বলাই চাইল। ঐশানৰ শাখাত শিশুক ভেঁট পাইল ॥ বটপত্ৰ পুটে কৰি আছন্ত শয়ন। শৰীৰৰ কান্তি কৰে দিশক প্ৰসন্ন ॥ ত্ৰৈধ্যায় ভুবনে নাই ৰূপক উপাম। তনু সুকুমাৰ মহা মৰকত শ্যাম ॥ সুন্দৰ বদন-চন্দ্ৰ নৱপদ্মকোষ। অৰুণ পঙ্কজ-নেত্ৰ দেখন্তে সন্তোষ ॥ সুন্দৰ নাসিকা সুৰলিত ভ্ৰূৰ দুই। সচল অলকাপান্তি দেখি সুখী হই ॥ অৰুণ অধৰ চাৰু প্ৰবাল অঙ্কুৰ। হাস্যত বৰষে যেন অমৃত প্ৰচুৰ ॥ পদ্মগৰ্ভ অৰুণ নেত্ৰ প্ৰান্তদেশ। হাস্য নিৰীক্ষণ সুকোমল বক্ৰ কেশ ॥ তিনি ৰেখা সহিতে প্ৰকাশে কম্বু গল। সিংহৰঙ্ক স্কন্ধ বহল বক্ষস্থল ॥ শঙ্খ প্ৰায় কৰ্ণ দুই ৰলয় ৰলিত। মনোহৰ দাড়িম্ব কুণ্ডলে সুশোভিত ॥ সুন্দৰ উদৰ অশ্বত্থৰ পত্ৰ নয়। নিম্ন তিনি ৰেখা তাতে জলে অতিশায় ॥ ত্ৰিবলি বলিত নিশ্বাসতে আতি চলে। পৰম গম্ভীৰ নাভীসৰোবৰ জলে ॥ চাৰু কৰ কিসলয় আৰকত কান্তি। ৰত্নৰ শলকা নয় আঙুলিৰ পান্তি ॥ দুই হাতে ধৰি দুই চৰণ-পদ্মক। চোচন্তে আছন্তে সুখে বৃদ্ধ অঙ্গুষ্ঠক ॥ শৰীৰৰ কান্তি দূৰ কৰে অন্ধকাৰ। দেখি ঋষিৰাজ ভৈল অতি চমৎকাৰ ॥”

মাধৱদেৱৰ বালকগোপালৰ বৰ্ণনাৰ পুৱাৰ গীতটি এই বৰ্ণনাৰ ছাঁত ৰচিত— “গোবিন্দ চিন্তহ বালগোপালং। ৰতন তলপমহ শয়নে ৰহতু হৰি পঙ্কজ-নয়ন বিশালং ॥ কৰ পঙ্কজ যুগে ধৰি পদ-পঙ্কজ বয়ন-পঙ্কজে নিবেশিতং। মুনিবৰে কৈছে ছোড়ি অমিয়া মধু পদ-পঙ্কজ ৰস পীতং। বালক কেলি অমিয়াৰস-সাগৰ মাধৱে কহে পৰমাণং ॥”

“দ্বাদশ” পুথিখন যে শঙ্কৰদেৱে তেওঁৰ বুঢ়া বয়সত কৰিছিল, সেইটো তেওঁৰ দ্বাদশৰ এক আধ্যাৰ এটা ভণিতাৰপৰা বুজিব পাৰি।—“নভৈল ভকতি নাছাৰিবা মোক দয়া। জৰা ৰোগে পীড়ে কেতি-ক্ষণে পৰে কায়া ॥” সম্ভৱতঃ তেওঁ দ্বিতীয় বাৰ তীৰ্থ ভ্ৰমণৰ পিছত দ্বাদশ ৰচনা কৰিছিল।

সপ্তম অধ্যা

শঙ্কৰদেৱে “ৰুক্মিণী হৰণ” পুথি আৰু “ৰুক্মিণী হৰণ নাট” এই দুখনো ৰচনা কৰিছিল। নাটখন তেওঁৰ আন আন নাটৰ দৰে সংস্কৃত নাটৰ আহিত ৰচিত; আৰু আজিলৈকে তাৰ ভাওনা সত্ৰ সভাদিত হ'ব লাগিছে। ৰুক্মিণী হৰণ পুথি-খনৰ বিষয়ে আমি সম্প্ৰতি আঘাৰচেৰেক কম। এইখনৰ নিচিনা সুললিত সুশ্ৰাব্য আৰু পঢ়ি বা শুনি থাওঁতে মন মুহি যোৱা পুথি আৰু আগাৰত দ্বিতীয় নাই। ই শঙ্কৰদেৱৰ অমৃতময় লেখনীৰ অমৃতৰ ধাৰ। অসমীয়া ন'বা বুঢ়া মজ তিকতা এই পুথিৰ গুণত মুগ্ধ। অসমীয়াৰ মুখে মুখে ৰুক্মিণী হৰণ পুথিৰ সুমধুৰ পদ। আন কি, অসমীয়া নিৰক্ষৰ তিকতা মানুহৰ মুখতো ইয়াৰ মধুৰ পদৰ মধুৰ সোৱাদ সততে লাগি আছে। অস-

মীয়া তিৰুতামানুহে কথা-বাৰ্তা কওতে ৰুক্মিণী হৰণ পুথিৰ দুই চাৰি ফাঁক পদ মাতি তাৰে তেওঁৰ কথাত "তেন মাৰি" তাক সুগন্ধ কৰে। শঙ্কৰদেৱে তেওঁৰ পুথিৰ আদিতে কৈছে—"একে হৰিবংশ কথা অমৃত সাক্ষাত। আৰু ভাগৱত কথা মিশ্ৰ দিলোঁ তাত ॥ দুয়ো কথা পদবন্ধে কৰিছোঁ মিলাই। যেন মধুমিশ্ৰ দুগ্ধে অতি স্বাদ পাই ॥" বাস্তৱিকতে তেওঁৰ যত্ন সফল হৈছে। তেওঁৰ পুথিখন সঁচাসঁচিকৈয়ে মৌ-সনা গাখীৰৰ নিচিনা অতি সোৱাদ যে হৈছে তাক নিঃসন্দেহৰূপে ক'ব পাৰি। মহাকবি কালিদাসৰ হাতত পৰি ৰঘুবংশৰ বৃত্তান্তৰ নিচিনা গদ্যময় কথা যেনেকৈ অনুপম কাব্যময় হৈছে, অসমীয়া ভাষাত মহাকবি শঙ্কৰদেৱৰ হাতত পৰিও হৰিবংশ আৰু ভাগৱতৰ বৃত্তান্ত তেনেকৈ অনুপম কাব্যময় হৈছে। ৰুক্মিণী হৰণ পুথি অসমীয়া সৰ্ব্বসাধাৰণৰ মন-মোহা হোৱাৰ ঘাই কাৰণ শঙ্কৰদেৱে অসমীয়াৰ ঘৰুৱা কথাৰে, ঘৰুৱা ভাবেৰে, ঘৰুৱা গঢ়েৰে সৰ্ব্বসাধাৰণৰ মনোজ্ঞ কৰি পুথিখন ৰচনা কৰিছে। ভীষ্মক অসমীয়াৰ এজন আহি ৰজা। শশীপ্ৰভা অসমীয়াৰ আহি ৰাণী। তেওঁৰ কথা অসমীয়া "কন্যাৰ মাকৰ" কথা। তেওঁক আৰু ছোৱালীৰ বাপেক ভীষ্মকক অসমীয়াই বঢ়িয়াকৈ চিনি পায়। ৰুক্মিৰ নিচিনা মই-মত, খঙাল, বাপেক-মাকৰ মত কথা কুটা এগছৰ নিচিনাকৈ উৰাই দি নিজৰ মত কথা সদায় "বাহাল" কৰি চলা "বৰ পো" "বৰ বোপা"ও অসমীয়াই অনেক দেখিছে ; আৰু বলে নোৱাৰি তেনে বৰ বোপালৈ ভয় কৰি অশান্তিৰ হাত সাৰিবলৈ "বৰ বোপাই যি কৈছে, সেয়েই হওক" ভাৱে চলা ভীষ্মকৰ নিচিনা বাপেক ডাঙৰ মানুহো অসমীয়াই নেদেখি থকা নাই। আগৰ কালৰ অসমীয়া ডাঙৰ মানুহৰ ঘৰত জীয়ৰী ছোৱালীক সৰুৰেপৰা তুলি-তালি ডাঙৰ কৰি বিয়া দি উলিয়াই দিবৰ কাললৈকে আতোলতোল কৰি মৰম কৰি থকা সুমালিনীৰ নিচিনা ধাইও অসমীয়াৰ অচিনাকি নহয়। দৈৱকীৰ নিচিনাকৈ আদৰ কৰি কথা কৈ বিয়নী-মেল পতা বিয়নীও অসমীয়াৰ ভিতৰত ভূৰি ভূৰি। উদ্ধত ৰুক্মিৰ আৰু শিশুপালৰ গালিৰ নিচিনা গালিও আৰু কৃষ্ণৰ উত্তৰা-উত্তৰিও অসমীয়া সমাজত আটকীয়া নহয়। ইত্যাদি অসমীয়া ঘৰুৱা জীৱনৰ ফটফটীয়া চিত্ৰৰে শঙ্কৰদেৱৰ ৰুক্মিণী হৰণ ভৰপূৰ দেখি তাৰ পদ কথাবোৰে অসমীয়াৰ হাড়ে হাড়ে মগজুৰে মগজুৰে সোমাইছে। মুঠতে শঙ্কৰদেৱৰ ৰুক্মিণী হৰণ অসমীয়া মতা-মানুহৰ কাণৰ লং-কেৰু, হাতৰ গাম-খাৰু, আঙুলিৰ বাখৰ-পতোৱা আঙঠি, আৰু তিৰুতামানুহৰ ডিঙিৰ কোট-মণি, গলপতা আৰু সাতশৰী হাৰ। শঙ্কৰদেৱৰ ৰতৱিলাক সুমধুৰ ললিত ৰসাল ৰচনা আছে সেইবোৰৰ ভিতৰত ৰুক্মিণীহৰণ শ্ৰেষ্ঠ। বাস্তৱিক পক্ষত ৰুক্মিণীহৰণ পুথি পঢ়িবলৈ ধৰিলে "নাহি ক্ষুধা-তৃষ্ণা নবাধয় একো দুখে ॥ যতেক শুনোহোঁ শুনিবাক যায় মতি। অমৃত-পীয়ন্তে যেন নখণ্ডে তৃপিতি ॥" হয়। দুই চাৰি ফাকি পদেৰে শঙ্কৰদেৱে ভীষ্মকৰ কেনে চৰিত্ৰ আঁকিছে চোৱাঁ—"সেহি নগৰত ভৈল ভীষ্মক নৃপতি। পৰম ধাৰ্ম্মিক মতি দুতী সুৰপতি ॥ নৃপকুল তিলক কামিনী মনোহৰ। পৃথিবীত সমান নাহিক ধনুৰ্দ্ধৰ ॥ পুত্ৰৱতে কৰে ৰাজা প্ৰজাৰ পালন। আগত পাছত সত্য একেসে বচন ॥ চাটুৱাৰ চাটুত নেদন্ত ৰাজা কাণ। ব্যৰ্থ নুহি অৰণ্যে মাগিলে পাই দান ॥ ভুজন্ত পৃথিবী যেন ধৰ্ম্ম ব্যৱহাৰ। অনুচিতে পিপ্‌পৰাকো নিচিন্তন্ত মাৰ ॥ যেন জলময় ৰাজা নাহি কোপ তাপ। দণ্ড বন্ধ নাহিক প্ৰজাৰ যেন বাপ ॥ ছুইলে পাপ হৰে ৰাজা অতি শুদ্ধকায়। উচিতত পৰে কিছু নাহিক অন্যায় ॥"

পাটমাদৈ শশীপ্ৰভাই জীয়েক ৰুক্মিণীক বিয়া দিবৰ হ'ল বুলি ৰজাক ক'লত ৰজাই যদিও কৃষ্ণলৈ জীয়েকক বিয়া দিয়াটো উচিত ভাবিছিল তথাপি মইমত ভাৱে কোনো এটা থিৰ নকৰি জ্ঞাতিসকলক আৰু পাঁচো পুতেকক মতাই আনি পৰামৰ্শ কৰি তেওঁলোকৰ অনুমতি বিচাৰিলে,—"হেন শুনি নৃপতি অনাইলা জ্ঞাতি-লোক ॥ ৰুক্মি আদি কৰি পাঞ্চ তনয়ক আনি। সবাকো সম্বুদ্ধি ৰাজা বুলিলন্ত বাণী। ৰুক্মিণীৰ আবে উকলিল কন্যাকাল। জিজ্ঞাসিও কৈত কোন বৰ আছে ভাল ॥ গোটে গোটে চাইলোঁ পৃথিবীৰ ৰাজা মানে। জীয়াইৰ সদৃশ বৰ নাই একো থানে ॥ দৈৱকী নন্দন এক মাধৱত পৰে। ৰুক্মিণীক বিবাহ কৰিব কোন নৰে ॥ জ্ঞাতি পুত্ৰগণ মোক দিয়া অনুমতি। কৃষ্ণত সম্বন্ধ কৰোঁ হৌক সদগতি ॥ জগতত সাৰ প্ৰভু পুৰুষ প্ৰধান। সঞ্চি হাতে মাধৱক কৰোঁ কন্যা দান ॥ ত্ৰিজগত পতি যেৱে হোৱন্ত জামাই। আছোক মনুষ্য দেৱতাকো শঙ্কা নাই ॥ ইহ পৰলোকে হৰি দুয়ো লোকে গতি। হেন জানি বিবাহক দিয়ো অনুমতি ॥" ৰজাৰ কথা শুনি "জ্ঞাতি লোকে বোলে প্ৰভু আৰ কিবা সুধি। সাধু সাধু ৰাজা ধন্য সম্পজিল বুদ্ধি ॥ মাধৱত পৰে ত্ৰিজগতে নাহি আন ॥ পুৰুষ উদ্ধাৰ হৌক কৰা কন্যাদান ॥"

ছোৱালীৰ মাক মাদৈ শশীপ্ৰভায়ো উলাহেৰে মত দি ক'লে—"অনন্তৰে মহাদই ৰাতিলা স্বামীক। সুধিৰ নালাগে বিহা দিও ৰুক্মিণীক ॥ কত ভাগ্যে পাইবোঁ আমি কৃষ্ণক জৱাই। সুখদে থাকিব মোৰ ৰুক্মিণী জীয়াই ॥"

এই কথা শুনি "মহা বলিয়াৰ দুষ্ট দাৰুণ দৰ্পিষ্ট", "পিতৃৰ মাতৃৰ বোল নুশুনে দুৰ্ম্মতি" "যত জ্ঞাতি কুটুম্ব সকলে তাৰ চেৰ, মাধৱৰ নামে সিটো জুইতো নেদে খেৰ" ৰুক্মিয়ে "মহাকোপে হিয়া ফান্দি" মাত লগালে,—"আমাৰ ভগিনী কোনে দিয়ে মাধৱক। ৰাজা নোহে সিটো উগ্ৰসেনৰ সেৱক ॥...যাক বুলি মহাৰাজা বীৰ শিশুপাল। অনেক পুৰুষে ৰাজ্য ভুঞ্জে চিৰকাল ॥ একশত গুণে যাক কৃষ্ণ নুহি সম। হেন শিশুপালকেসে মই দিবোঁ বিয়া। যাহাৰ শকতি আছে মাধৱক দিয়া ॥ শিশুপাল ৰাজা ৰুক্মিণীৰ হৈবে স্বামী। নিশ্চয় কহিলোঁ অঙ্গীকাৰ কৰি আমি ॥"

দাম্ভিক ৰুক্মিৰ এনে কথা শুনি বাপেক ভীষ্মকে ভয়ত বৰকৈ একো টানি নকৈ আগপাছ চিনাই লাহে লাহে আষাৰচেৰেক কৈ পুতেকক বুজাবলৈ চেষ্টা কৰিলে,—"জানিয়া ভীষ্মকে তনয়ৰ অভিপ্ৰাই। ৰুক্মিৰ বচন বাধিবাক শক্য নাই ॥ আগ পাছ চিনাই ৰাজা বুলিলা বিস্তৰ। মাধৱক তই বাপ বিৰোধ নকৰ ॥ ...চৰাচৰ গুৰু হৰি জগতৰ বাপ। তাহাঙ্ক নিন্দিয়া কেনে চপাৱস পাপ ॥ কৃষ্ণক বিৰোধ কৰি নাপাইবি কল্যাণ। মোহোৰ বাক্যক বেদ বাক্য হেন মান ॥ যাক নাটিলেক কেশী কংস বকাসুৰে। মিছা বাদ নকৰস যেন নাকে খুৰে। দিয়ো অনুমতি পুত্ৰ বংশৰ প্ৰধান ॥ বিধিমতে মাধৱক কৰোঁ কন্যাদান ॥ কৃষ্ণ হেন স্বামী পাওক জীয়াই ৰুক্মিণী। মঙ্গল কাৰ্য্যত বাপু নাপাত বিঘিনি ॥"

বাপেকৰ বুজনিত ৰুক্মিৰ খং তিনিগুণ চৰিল হে। তেওঁ বুঢ়াক যিহকে পায় তাকে কৈ কুবাক্য প্ৰয়োগ কৰিবলৈ ধৰিলে—"হেন শুনি ৰুক্মিৰ উঠিল বৰ ক্ৰোধ। বৃদ্ধ বয়সত তুমি এনুৱা অবোধ ॥ আনতো নভৈলা তুমি পিতৃ নামে খাইলা। যাদৱ গোটক বৰ জামাই খুজি পাইলা ॥ হেন ৰণ ভঙ্গৱাক বখানাহা কিক। প্ৰাণান্তিকো কৃষ্ণক নেদিবোঁ ৰুক্মিণীক ॥ শিশুপাল ৰাজাকে সে দিবোঁ সাৰেসাৰ। একো কালে নলাৰিবোঁ পূৰ্ব্ব অঙ্গীকাৰ ॥"

শান্ত বাপেক বুঢ়া ৰজাই কি কৰে, গতি বিষম দেখি কিছু পৰ তলমূৰকৈ থাকি নৈৰাশ হৈ ভয়ত পুতেকৰ কথাতে মত দি ক'লে—"পুত্ৰ বাক্য শুনিয়া ভীষ্মক মহাৰাই। অধোমুখে আছিলন্ত মাথা চপৰাই ॥ মনত বোলন্ত জানো আৰু পাবে গালি। মাতন্ত নৃপতি কুমাৰক আশা পালি ॥ হিয়াত আছিল মানে কহিলোঁহো তোক। তভু মনে যেন যুৱাই তাকে কৰিয়োক ॥ ৰুক্মিণীৰ আবে উকলয় কন্যাকাল। বিয়া দিবে লাগি অনায়োক শিশুপাল ॥ বিহাৰ সম্ভাৰ মানে অনায়ো বহুত। নৃপতিগণকে লাগি পাঞ্চি দিয়ো দূত ॥ দেশে দেশে ৰুক্মিণীৰ বিবাহ ঘোষোক। ৰঙ্গ চাহিবাক সবে নৃপতি আসোক ॥ কুণ্ডিল নগৰ মোৰ হোক জাতিঃকাৰ। পিন্ধন্তোক নৰ নাৰী বস্ত্ৰ অলঙ্কাৰ ॥ ৰাজাগণ ৰহিবাক সজায়ো বাসৰ। কাৰিয়ো নিয়োজ্ঞ কিবা বুলিবোঁ বিস্তৰ ॥"

ৰজা ইমান ভদ্ৰ আৰু তেওঁৰ এনে সুন্দৰ স্বভাৱ যে পুতেকে বলেৰে শিশুপাললৈ জীয়েকক দিব খুজিছে বুলিও যে তেওঁ বেজাৰ কৰি, গপ পাতি, বা খং কৰি শিশুপালক নিজে ভালকৈ আদৰ সাদৰ নকৰি পুতেকলৈ এৰি দিছিল এনে নহয়। যেই শিশুপাল তেওঁৰ ৰাজ্যলৈ অহা শুনিলে, তেওঁ নিজে পাত্ৰ মন্ত্ৰীৰে সৈতে লগলাগি আগবাঢ়ি গৈ শিশুপালক আদৰি আনিলে,—"তাক শুনিলেক পাছে ভীষ্মক ভূপাল। বিভা কৰিবাক আইলা ৰাজা শিশুপাল ॥ আপুনি গৈলন্ত পাত্ৰ মন্ত্ৰী সমন্বিতি। আগবাঢ়ি আনিলন্ত যতেক নৃপতি ॥ যাক যেন যোগ্য আনি দিলা বাসা ঘৰ। পঞ্চামৃতে ভোজন কৰাইল নৃপবৰ ॥"

ৰুক্মি কুমাৰ কৃষ্ণৰ হাতত মৰিল বুলি উৰা মিছা বাতৰি শুনি ভীষ্মকে পুতেকৰ শোকত বিহ্বল হৈ কান্দিও, শেহত পুতেকে নিজৰ কুকৰ্ম্মৰ ফল ভোগ কৰিলে বুলি ভাবি, পুতেকে অনাহকত প্ৰজাবোৰ মৰালে বুলি ভীষ্মকৰ শোক পুতেকৰ নিমিত্তেতকৈ প্ৰজাবোৰৰ নিমিত্তে হে বেছি হৈছিল।—"হেন শুনি নৰনাথ, জানুত দিলন্ত মাথ, দশো দিশ দেখে অন্ধকাৰ। হাঁ পুত্ৰ কি কৰিলি, আপুনিও মৰি গৈলি, প্ৰজাৰ চিন্তিলি মহামাৰ ॥ সৰ্ব্ব কালে ক্ৰুৰ চিত, হিতক দেখিলি তিত, নুশুনিলি মোৰ হাক ডাক। কৃষ্ণক বিৰোধ কৰি, সামৰাজে গৈলি মাৰি, একেশ্বৰ কৰিলি আমাক ॥ কৃষ্ণক যুজিয়া বলে, পুত্ৰ গৈল ৰসাতলে, তাত খেদ নাহিকে আমাৰ। মৰাইলে পদাতিগণ, তাতেসে দগধ মন, কি লৈয়া চৰ্চিচবোঁ ৰাজ্যভাৰ ॥"

যুজত হাৰি, অপমান পাই, যুদ্ধক্ষেত্ৰত মৰভাও জুৰি পৰি থকা পুতেকক ভীষ্মকে বুজাই মাতিছে—"উঠ উঠ বাপু তই ত্যজ ইটো মৰ্ম্ম। লাজ অপমান ক্ষত্ৰিয়ৰ কোন ধৰ্ম্ম ॥ হাৰিয়া জিনয় কতো জিনিয়া হাৰয়। সৰ্ব্বকালে সংসাৰত কাৰো নাই জয় ॥ কোন কাৰ্য্যে বাপু তই যুজস কৃষ্ণক। অকাৰ্য্যে মৰাইলি আনি সমস্তে কটক ॥ লঘু ভৈলি আপুনি নুশুনি মোৰ বুদ্ধি। স্বতন্ত্ৰ ৰুগীয়াক কিকৰে ঔষধি ॥........ নৃপতি বোলন্ত পুত্ৰ চলিয়ো নগৰ। হেন শুনি অল্প কৰি মাতিলা কুমৰ ॥....শুনিয়োক পিতৃদেৱ বচন আমাৰ। পূৰ্ব্বে যেন কৰিয়াছোঁ সত্য অঙ্গীকাৰ। ৰুক্মিণীক নেবেলাই যিজিনি কৃষ্ণক। কদাচিতো মই

নপশিবোঁ কুণ্ডিলক ।।....ইঠাৱতে ৰহোঁ আজ্ঞা দিয়া মোক ।"

ৰজাই মান্তি হৈ তাতে পুতেকক থাকিবলৈ আজ্ঞা দি ভোজকট নামে নগৰ সজাই দিয়ালে ।—"হেন শুনি নৃপতি বোলন্ত এহি হোক ।।....সিটো নগৰৰ নাম থৈলা ভোজকট ।।" কৃষ্ণই দ্বাৰকাত ৰুক্মিণীক বিয়া কৰিবৰ সময়ত উগ্ৰসেনক ক'লে, যে মোৰ শহুৰলৈ বাতৰি দিয়া ; যদি তেওঁ বিধিমতে কন্যাদান কৰি কুটুম্বিতা কৰিব খোজে তেন্তে আহক ।—"কুণ্ডিলক লাগি মোৰ শ্বশুৰৰ ঠাই । পণ্ডিত ব্ৰাহ্মণ চাহি দিয়োক পঠাই ।। কুটুম্বিতা কৰিবাক বাঞ্ছা আছে তান । বিধিমতে আসি কৰন্তোক কন্যা দান ।।"

ৰজাই বাতৰি পায়েই পুত্ৰ ভাৰ্য্যা সমন্বিতে দ্বাৰকালৈ গৈ কৃষ্ণক কন্যা সম্প্ৰদান কৰিলে । ৰুক্মি আৰু শিশুপাল এওঁলোক দুয়ো হে মাথোন লাজত বিয়ালৈ যোৱা নাছিল ।

ৰাণী শশীপ্ৰভা ভীষ্মকৰ উপযুক্ত ভাৰ্য্যা ।—'শশীপ্ৰভা নামে ভৈল তান মহাদেই । অতি সতী অন্তেসপুৰত সৰ্ব্বময়ী ।। নৃপতিৰ মনোময়ী সুভগা সুন্দৰী । ৰূপে গুণে অনিন্দিতা যেন বিদ্যাধৰী" ।। এই চাৰি ফাঁকি পদেৰেই শঙ্কৰদেৱে শশীপ্ৰভাৰ এনে চিনাকী দিলে যে দ্বিতীয় শ্ৰেণীৰ কবিয়ে এপাতমান লেখি হে তাক পাৰিলেহেঁতেন । শশীপ্ৰভা স্ত্ৰীৰ সৰ্ব্বশ্ৰেষ্ঠ আৱশ্যকীয় গুণ—সতী, অন্তেসপুৰত অৰ্থাৎ গৃহস্থৰ ঘৰত ঘৈণীৰ Proper place অৰ্থাৎ ঠিক নিজা ঠাইত তেওঁ সৰ্ব্বময়ী স্বামীৰ মনোময়ী ভাৰ্য্যা ; সেইবাবে সুভগা, আৰু ৰূপে গুণে তেওঁ অনিন্দিতা সুন্দৰী । সম্পূৰ্ণ সুৰাগীৰ ঘৰৰ-ঘৈণী হ'বলৈ আৰু কি লাগে ? লাগে পুত্ৰৱতী হ'ব । শশীপ্ৰভা-ৰুক্মি, ৰুক্মৰথ, ৰুক্মবাহু, ৰুক্মকেশী আৰু ৰুক্মমালী এই পাঁচোটা লৰাৰ মাক ; আৰু তেওঁলোক অপদাৰ্থ পো নহয় ; জগতৰ মধ্যত প্ৰখ্যাত প্ৰথম শ্ৰেণীৰ বীৰ । শশীপ্ৰভাৰ এনে গাৰ্হস্থ্য জীৱনৰ সোণত সুৱগা,—এজনী মাথোন জীয়েক ; তেৱেঁা পাঁচোটা ল'ৰাৰ পিছত হোৱা নুমলী ছোৱালী, ককায়েকহঁতৰ মৰমৰ, আৰু বাপেক মাকৰ প্ৰাণতো অধিক চেনেহৰ । "সবাৰে কনিষ্ঠা ভৈল নামত ৰুক্মিণী । পাঞ্চ ভাইৰ মাজে অতি দয়াৰ ভগিনী ।। পিতৃ মাতৃৰ স্নেহ প্ৰাণতো অধিক ।" তাৰ ওপৰত এই অতি মৰমৰ ছোৱালীটি এনে ৰূপৱতী যে "ত্ৰৈলোক্যতো ৰূপে সম নাহি ৰুক্মিণীক ।"

ৰুক্মিণী বিবাহযোগ্যা হ'ল ; বাপেকতকৈ মাকৰ হে সেইটো আগেয়ে চকুত পৰা স্বাভাৱিক ; কাৰণ বাপেক বাহিৰত ৰাজকাৰ্য্যাদিত দিনে ৰাতিয়ে ৰব ব্যস্ত থাকে, সেইদেখি মাকে হে সেই কথালৈ স্বামীৰ মনোযোগ আকৰ্ষণ কৰাটো স্বাভাৱিক । এই কথা শঙ্কৰৰ বৰ্ণনাত কেনে সুন্দৰ হৈছে চোৱা,—"এক দিনা শশীপ্ৰভা ৰাজ মহাদেই । ভীষ্মক স্বামীক হেন বুলিলন্ত গই ।। (এইখিনিত ৰজাক বা আন শব্দ ব্যৱহাৰ নকৰি "স্বামীক" শব্দ ব্যৱহাৰ কৰাটো, শঙ্কৰে উপযুক্ত ঠাইত উপযুক্ত শব্দ ব্যৱহাৰ কৰাটোৰ এটা উদাহৰণ) । ৰুক্মিণী জীয়াইৰ আৰে ভৈল কন্যা কাল । বিচাৰিও বৰ ৰাজা কৈত আছে ভাল ।। সাত পাঞ্চ নাহি মোৰ জীৱ এক গুটি । কেন মতে আসে প্ৰভু নিশ্চিন্তে ঘুমাটি ।। ৰুক্মিণী সদৃশ বৰ চাহিও সকাল । ৰূপ গুণ চাহি যেন দশে বোলে ভাল ।। ভাল চাহি দিলে দৈবে যেহি লাগে হোক ।" অসমীয়া সজ গৃহস্থৰ ঘৰৰ ছোৱালীৰ মাকৰ কেনে স্বাভাৱিক চিত্ৰ । এই শশীপ্ৰভাক কোনোবা অসমীয়া জীয়ৰী বোৱাৰীয়ে নিজৰে নিচিনা বুলি শ্ৰদ্ধা ভক্তি নকৰি পাৰে নে ? ৰজাই যেতিয়া জ্ঞাতি সকল আৰু পুতেকহঁতেৰে সৈতে ৰুক্মিণীৰ বিয়াৰ বিষয়ে পৰামৰ্শ কৰিছিল, ঘৈণীয়েকো সেই মেলত থকাটো স্বাভাৱিক ; সেই দেখি আছিলো । কৃষ্ণক জোঁৱাই কৰা ৰজাৰ প্ৰস্তাৱত যেতিয়া জ্ঞাতিসকলে আনন্দেৰে সৈতে "হয়" দিলে, তেতিয়া শশীপ্ৰভাই মাত লগাই তেওঁৰ মনখোৱা সেই কথাৰ চূড়ান্ত নিষ্পত্তি কৰাটো কেনে স্বাভাৱিক ।—"অনন্তৰে মহাদেই মাতিলা স্বামীক । সুখিৰ নালাগে বিহা দিও ৰুক্মিণীক ।। কত ভাগ্যে পাইবো আমি কৃষ্ণক জামাই । সুখতে থাকিব মোৰ ৰুক্মিণী জীয়াই ।।" বিয়া থিৰ কৰোঁতে সকলো বাপেকৰ চিন্তা—যাতে জোঁৱাইৰ কুল শীল ভাল হয় ; মাকৰ চিন্তা—ছোৱালীজনী এনে জোঁৱাইত পৰিব লাগে যাতে তাই সুখে থাকে । এই মেলত বহি মেলৰ মাই ভাগ শশীপ্ৰভাই লৈছে ; মেলত "ৰাই"ও তেৱেঁই নবালৰিকৈ দিছে ; অথচ তেওঁ কেনে ধীৰ গম্ভীৰ আৰু নিজৰ প্ৰকৃত ঠাই বুজি নিজক চলাওঁতা চোৱাঁচোন,—তেওঁ নিজৰ স্বামীক সম্বোধন কৰিছে তেওঁৰ "ৰাইটো" দিছে, জ্ঞাতিসকলক বা পুতেকসকলক সম্বোধন কৰি নহয় । আহি ঘৰৰ ঘৈণীৰ সুকীয়া মুখ নাই, তেওঁ স্বামীৰ মুখেদিহে কথা কয় । ইয়াৰ পিছত যেতিয়া তেওঁৰ বৰ পুতেক ৰুক্মিয়ে বাপেকৰ কথা একে ফুতে উৰাই দিলে, তেতিয়া বাপেক ভীষ্মকে হে পুতেকক অলপ বুজনি দিবলৈ চেষ্টা কৰিছিল, কিন্তু মাক শশীপ্ৰভাই একোকে নামাতি মনে মনে ৰ'ল ; কাৰণ তেওঁ perfect lady নিজৰ position স্থান আৰু সম্মান কেনেকৈ ৰাখিব লাগে বঢ়িয়াকৈ জানে ।

ৰুক্মি যুদ্ধত কৃষ্ণৰ হাতত মৰিল বুলি যেতিয়া কুণ্ডিলত বাতৰি ওলাল, ভীষ্মকে পুত্ৰশোকত মনত নথৈ কষ্ট পাই বিলাপ কৰিছিল, সেই বিলাপত তেওঁৰ ন্যায় অন্যায় ধৰ্ম্ম অধৰ্ম্মৰ পৰিণামৰ বিবেচনা আছিল ; সেইদেখি ৰুক্মিয়ে যে নিজৰ কুকৰ্ম্মৰ ফল-

ভোগ কৰিছে সেইটো তেওঁৰ মনত উদয় হৈছিল। তেওঁ পুত্ৰশোকত পৰিও কৃষ্ণৰ বিৰুদ্ধে একেষাৰো বাক্য প্ৰয়োগ কৰা নাছিল। কিন্তু শশীপ্ৰভা তিৰুতা মানুহ ; মাকৰ আন সকলো এফাল, অপত্যস্নেহ এফাল ; অপত্যস্নেহৰ আগত জোৰ'ইও উবে। পুতেক চোৰ হওক, ডকাইত হওক, পাপী হওক, মূৰ্খ হওক, তথাপি তাৰ মৃত্যুতে মাক অধৈৰ্য্য, সেইদেখি শশীপ্ৰভাই পুতেকৰ মৃত্যুৰ কাৰণ জোৰ'া-য়েককো জুদাই নেৰি বেজাৰত টান মাত দিলে—"পুত্ৰশোকে দহে গাৱ, হিয়ে হানে মুষ্টি ঘাব, হঁা হাৰিয়াসৰ পুতাই। কৃষ্ণ যমাই যমদূত, হয়া তোক নিলে পুত, মোক শোক সাগৰে পেলাই ।।" মাকৰ চকুত জীয়েকৰ গাতো দোষ নাই, পৰৱ ল'ৰা জোৰ'া-য়েকৰ গাত হে সমুলি দায়।—"তোহোক কাটিতে চাই, থাকিবা ৰুক্মিণী আই, প্ৰাণক ধৰিব কোন মতে। ভ্ৰাতৃ শোক পাবা মোৰ, সি কি জীয়াই জীয়ে মোৰ, জানিলোঁহো মৰিল জগতে ।। পুত্ৰ জীক হৰুৱাই, থাকিবোঁ কাহাক চাই, জীওঁ কিব কুলক্ষণী নাৰী। এহি বুলি পাটেশ্বৰী কান্দে আৰ্তনাদ কৰি, পৃথিবীত লোটালুটি পাৰি ।।" ওপৰৰ কথাৰ লগতে তেওঁ বেজাৰত বোৱা কথা কেইষাৰ কেনে স্বাভাৱিক চোৱা—"জ্ঞাতিগণে দিলে হাক, তোক মন্দ কৰিবাক, নুশুনিলি কিনো স্বতন্তৰ। ওলাই গৈলি নাচি বাগি, পুত্ৰ ইজন্মক লাগি, উলটিয়া নপশিলি ঘৰ ।। পাবো পুত্ৰে ভৈলোঁ সুখী, আছিলো সুবৰ্ণ কুক্ষি, পিও নাম থওাইলি কুমাৰ। কিনো ভৈল হৃদি শোক, বিধাতা দণ্ডিলে মোক, যমপুৰে আনাক সুমন ।। ৰাজাৰ কুমাৰা গণে, তোক সেৱে সৰ্বক্ষণে, শীতল শয্যাত থাক শুই। আজি বাপু প্ৰাণ এৰি, কোন থানে আছ পৰি, কাক শৃগালৰ ভক্ষ হুই।" ৰাণীৰ শোক দেখি তেওঁৰ দাসী আৰু অন্তেষপুৰৰ আন আন নাৰীসকলে তেওঁক বুজালে যে "ৰুক্মি সঁচাকৈয়ে মৰিলে নে নাই এই বাতৰিটো ক আগেয়ে ভালকৈ জানি লোৱা : আমি শুনিছোঁ, ৰুক্মি মৰা নাই।" এই বুজনি শুনি শশীপ্ৰভাই অলপ উশাহ পাই তেওঁলোকক উত্তৰ দিলে "তোমাসাৰ বাক্য সিদ্ধি হোক। মোৰ দুই পুত্ৰ জীয়, হোক আজি চিৰজীৱ, আমাৰ খণ্ডোক হৃদিতাপ ।।" এই বুলি তেওঁ অলপ আশ্বস্ত হৈ যুদ্ধক্ষেত্ৰলৈ লৰি গ'ল। যুদ্ধক্ষেত্ৰত যেতিয়া মৰভেশ যুৰি থকা পুতেকক মাকে দেখিলে তেতিয়া পুতেক মৰা নাই বুলি তেওঁ সাৱধিৱ পৰা শুনি পুতেকক মজনি দি মাতিলে—"উঠ উঠ বাপু তই লাজ পৰিহৰি। তোহোৰ সন্তাপে ক্ষণেকতে যাওঁ মৰি ।। নখণ্ডয় মোৰ হৃদয়ৰ গুলগুলি। এভো মোক কিসক নামাত মুণ্ড তুলি ।। কতনো হুজাইলোঁ দুঃশুনিলি হাক ডাক। তোহোৰ আগত নপাইলোঁহো মৰিবাক ।। জমায়েৰে তোহোৰ ধুজিবে কিব নাগে। এবাইদি প্ৰমাদ আজি কত পুণ্যভাগে ।।"

জীয়েকৰ বিয়ালৈ যাবকালৈ গৈ শশীপ্ৰভাই দৈৱকীৰে সৈতে কেনে বিয়নী-মেল আৰু আত্মীয়তা পাতিছে চোৱা—"অন্তেষপুৰত শশীপ্ৰভা পয়োসাৰ ।। বিহানীৰ দেখিয়া দৈৱকী গাৱ চালি। অনেক সাদৰে ধৰিলন্ত আঙ্কোৱালি ।। মহাদেও দৈৱকীক সাধাটিলা ৰঙ্গে। দুযোজনে আসনে বসিয়া একসঙ্গে ।। মাৱক দেখিয়া ৰুক্মিণীৰ ৰঙ্গ চিত্ত। উৰুক মুৰুক কৰি গৈলা সন্নিহিত ।। শাশুক প্ৰণামি পাছে নমিলা মাতৃৰ। মহাদেৱে গলে বান্ধি ধৰি ৰুক্মিণীৰ ।। মোহাৰ কেশৰ আৰু লৈয়া তুমি জীয়া। দেখিবাৰ আসে ভুৱাইল মোৰ হিয়া ।। ভেল জানো আউৰ দেখিবো তোক আই। নগৰৰ হন্তে নীৱ ধাৰে বহি যায় ।। ৰুক্মিণীও ভৈলা পাছে সজল নয়ন। দৈৱকী বোলন্ত দুইৰো প্ৰবোধ বচন ।। বস্ত্ৰৰ অঞ্চলে দুইৰো মছিলা মুখ। কি কাৰণে বিয়নী কৰিছা মন দুখ ।। তোমাৰেসে মাই জমাই তোমাৰেসে ধন। তুমি সে আপোন হৈবা আমি হৈবো পৰ ।। জমাই পাইলা কৃষ্ণক কতেক পুণ্য ভাগে। আনন্দ উৎসৱ আতি কৰিবাক লাগে ।।"

ৰুক্মিণীৰ বিয়াৰ পিছত কুণ্ডিনলৈ আহিবৰ সময়ত শশীপ্ৰভাই বিয়নীয়েকৰ হাতত ধৰি বিদায় লৈছে—"দৈৱকীৰ হাত ধৰিলা বোলন্ত শশীপ্ৰভা মহাদেই ।। পাঞ্চপুত্ৰ মাজে জীৱ এক খানি, সমাঙ্কে মোহোৰ জীৱ। কাৰো ৰৰো হেৰা, পালিবা গোসানী, তোমাৰেসে ভৈল জীৱ ।। মুখাগতে মোৰ, মাছিল বৰিণী, ঘৰে ঘৰে দিতে দোষ। ঢাকি ৰাখা। তুমি আপুনি ঢাকিয়া নলিবা দশ দোষ ।। তোমাৰ হাতত সম্পিলো জীৱক, বৰিলোঁ হেৰা মেলানি ।।" ওপৰত দিয়া পদবোৰ পঢ়াৰ পিছতো কম লাগিব নে যে শঙ্কৰদেৱৰ ৰুক্মিণী হৰণ দিয়া আমাসাৰ আদৰ্শ নাই হৈছে ?

বেদনিধি ব্ৰাহ্মণৰ মুখে কৃষ্ণই ৰুক্মিণীৰ কথা শুনি লৰালৰিকৈ ৰথত উঠি কুণ্ডিনলৈ ওলাই আহিল ; ৰথত তেওঁ মাক বাপেকক আদি কাকো সেই কথা ভাঙি নক'লে ; কাৰণ তেওঁ সেতিয়াও প্ৰথম অসমীয়া লাজুকীয়া ডেকা। তেওঁ বেদনিধিক দিয়াগো কৈছে, ৰুক্মিণীৰ ৰূপ গুণৰ কথা দি দিয়া তেওঁৰ কাণত পৰিল "সেই কাল হন্তে মোৰ চিত্ত নোহে থিৰ ।। নাহি সুখ শান্তি মোৰ নুবুজন ভাত। উগুল থুগুল নিদ্ৰা নাসয় শয্যাত ।। ৰুক্মিণীৰ যত দুখ কহিলা বিপুল। তাতো দশগুণে আতি আমিসে আকুল ।।" কিন্তু মোৰ মনৰ কথা কাক কম ? কাক মোৰ প্ৰেম বেদনা জনাম ? তুমি বেদনিধি "প্ৰাণ সম মিত্ৰ মোৰ কহিবাৰ ঠাই।"-এইবাবে তোমাক মনৰ কথা ভাঙি কৈছোঁ। এতেকে কওঁ "খাণেট যাই তৈতক খাৱা বিলে আপাস্তৰ।" কৃষ্ণ কুণ্ডিনলৈ

অকলৈ গুচি যোৱা শুনি আনে বিশেষ একোকে নাভাবিলে ; কিন্তু মাক দৈৱকীয়ে সেই কথা শুনি ভাবিবলৈ ধৰিলে। মাকৰ পেট অলপতে পুতেকৰ নিমিত্তে পোৰে, সেইদেখি তেওঁৰ মহা চিন্তা হল,—"একেশ্বৰে লৰি যেবে গৈলন্ত গোবিন্দ। শুনি দৈৱকীৰ নয়নত নাসে নিন্দ ॥ পুত্ৰ বলভদ্ৰ গদ সাত্যকিক আনি। সবাকো সম্বোধি হেন বুলিলন্ত বাণী ॥ একেশ্বৰে কুণ্ডিনক গৈল গোবিন্দাই। লগত নলৈল পুত্ৰ কাহাকো সহায় ॥ শুনি আছোঁ ৰাজাগণে আছে গোষ্ঠি কৰি। বিস্তৰক একেশ্বৰে কি কৰিব হৰি ॥ সকলে শত্ৰুৰ মেল মিত্ৰ কেহো নাই। জানিলোঁ কন্যাৰ লোভে গৈল গোবিন্দাই ॥ ৰাজাগণ সমে তান সদায় বিবাদ। কিবা কূটনাট কৰি মিলায়ে প্ৰমাদ ॥ শুনিয়ো সাত্যকি গদ শুনিয়ো বলাই। ভায়েৰৰ লগ জাণ্টে লৈয়োক বপাই ॥ একেশ্বৰে মাত্ৰ পুত্ৰ গৈলেক বজাই ॥ কেতিক্ষণে কিবা শুনো ডৰে ধাতু যায় ॥ গোবিন্দে সহিতে সবে ঝাণ্টে যোৱাঁ ভেটি। নসহে পৰাণ মোৰ পোৰে আতি পেট ॥" সততে পুতেকৰ নিমিত্তে মাকৰ কেনে চিন্তা কেনে ভাবনা তাৰ অনন্ত উদাহৰণ ইয়াতকৈ আৰু কিবা আছে নে ? কেনে স্বাভাবিক বৰ্ণনা। মাকৰ সহজ জ্ঞানে (insti ct এ) তেওঁক কৈ দিলে, তেওঁ জানিলে—"জানিলো কন্যাৰ লোভে গৈল গোবিন্দাই।" সেই জ্ঞানে তেওঁক আৰু কৈ দিলে যে সদায় কৃষ্ণৰে সৈতে ৰজাবিলাকৰ বিবাদ, সেই দেখি তেওঁলোকেৰে সৈতে কৃষ্ণৰ যুদ্ধ হাই লাগিবৰ সম্ভৱ ; কিন্তু কৃষ্ণৰ বিক্ৰম যদিও তেওঁ জানে তথাপি কৃষ্ণ অকলশৰীয়া, আৰু ৰজা অনেক, সেই বাবে সৈন্য সামন্ত লৈ বলভদ্ৰ গদ সাত্যকি আদি যদুবীৰ সকল কৃষ্ণৰ সাহায্যৰ নিমিত্তে যোৱা উচিত। কোৱা বাহুল্য যে মাকৰ মনত যি ওলাইছিল, ঘটনা তেনেকুৱাই ঘটিছিল, আৰু যদুবীৰসকলক পঠিয়াই তেওঁ বৰ ভালকে কৰিছিল।

বিয়নীয়েক শশীপ্ৰভাৰে সৈতে দৈৱকীৰ কেনে স্বভাৱতে সুন্দৰ আদৰৰ কথাবাৰ্ত্তা হৈছিল, ওপৰত আমি তাক দেখুৱাই আহিছোঁ।

ৰুক্মিণীৰ ধাই সুমালিনী কেনে আমাৰ চিনাকি। ধাই তাইৰ দুই চাৰি আষাৰ কথা শুনিলেই সেইটো আমি বুজিব পাৰোঁ। বিয়াৰ পিছত শশীপ্ৰভা বিয়নীয়েকে দৈৱকী বিয়নীয়েকৰপৰা যেনেকৈ বিদায় ল'ব লাগে ল'লে, ধাই সুমালিনীয়েও সময় বুজি তেনে নকৰি থাকিবনে ? সকলোৰে ঘৰত সকলো জীয়ৰী ছোৱালীক ধায়ে তেনে সময়ত তেনে কৰে, শঙ্কৰদেৱৰ চিত্ৰপটৰ সুমালিনীয়েই বা নকৰিব কিয় ? কিন্তু শশীপ্ৰভাই বিয়নীয়েকৰ হাতত ধৰি মাড লগাই জীয়েকক বিয়নীয়েকৰ হাতত হে সপি দিছিল, জোঁৱায়েক কৃষ্ণৰ হাতত নহয়, কাৰণ শাহু হৈ তেনে কৰাটো অলপ সঙ্কোচৰ কাম আৰু হিন্দুৰ ঘৰত বোৱাৰীৰ সৰাকী শাহু হে, কিন্তু সুমালিনীয়ে সেই সঙ্কোচ কৰিবৰ সকাম নাই, সেই দেখি সুমালিনীয়ে জোঁৱাই কৃষ্ণকে সম্বোধন কৰি তেওঁৰ হাতত ৰুক্মিণীক সমৰ্পি দিলে—"আছে সুমালিনী ধাই মাধৱক বোলয় কৰি কাতৰ ॥ কত পুণ্যে পাইলে, তোমাকে সুস্বামী, ইহ পৰলোকে গতি। দিনে দশ দোষ ক্ষমিবা আপুনি, ৰুক্মিণী যে শিশুমতি ॥ কোলায়ে বোকায়ে তুলিলোঁ মহো দুখে, সুখ দিয়া মোৰ আই। চৰণত ধৰি। কাতৰ কৰোঁ, পালিবা তুমি গোসাঁই ॥" মাধৱে এই কথা শুনি সন্তোষ পাই, আৰু সুমালিনীৰ পেটৰ ধাই কথা বুজি যি কৰা উচিত তাকে কৰিলে, অৰ্থাৎ তাইক বঁটা দি সন্তুষ্ট কৰিলে,—'মাধৱে বোলন্ত, শুনা সুমালিনী, বুলিবে মোক নালাগে। প্ৰাণতো অধিক, দেখোঁ ৰুক্মিণীক, ভাৰ্য্যা পাইলো বৰ ভাগে ॥ এহি বুলি হৰি ধাইৰ মন পূৰি, দিলা বস্ত্ৰ অলঙ্কাৰ।" এইবোৰ বৰ্ণনা কেনে স্বাভাবিক !

ৰুক্মিণীৰ বিশ্বাসৰ পাত্ৰ আৰু মনৰ কথা জনা সুমালিনীয়ে শুনিলে যে ককায়েক ৰুক্মিয়ে শিশুপালক মতাই আনিছে, ৰুক্মিণীক বিয়া দিবলৈ বুলি। বাতৰিটো শুনিয়েই তাই লৰি আহি সেই খবৰ ৰুক্মিণীক দিলে—"হৰ্ষ-ৰৰস কৰি কথা কহে তাই। আশ্চৰ্য্য কথা আৰু নশুনা আই ॥ মাধৱ স্বামী লাগি তই আশা এৰ। কৃষ্ণত নেদেয় বিভা ৰুক্মি সে ভায়েৰ ॥ শিশুপাল নৃপতিক আনি আছে ধৰি। স্বপ্নো নহিলো আৰে যোহি লাগ কৰ ॥" এই নিৰ্ঘাত বচন শুনি ৰুক্মিণী দিলেক উত্তৰ কিছু নাই বোলমত। নাহি স্মৃতি জ্ঞান যেন ধাতু গৈল উৰি। অচেতন হুয়া পৃথিবীতে বৈল পৰি ॥' অতি আনন্দৰ উল্লাস থাকোঁতে এনে বজ্ৰাঘাতৰ নিচিনা নিৰানন্দৰ বাতৰি শুনিলে মানুহৰ যেনে হয়, ৰুক্মিণীৰ ঠিক তেনেই হৈছিল। সুমালিনীয়ে কিন্তু ইমান দূৰ হব বুলি ভবা নাছিল ; এতিয়া গতি বিষম দেখি "আকোঁৱালি তুলি লৈলা সুমালিনী ধাই। কি কাৰণে বিকল হৱস তই আই ॥ হৰি হৰি আই তোক ছলিলেক বিধি। তোৰ মন বাঞ্ছিত নভৈল কিছু সিদ্ধি ॥"

এনেবোৰ স্বাভাবিক বৰ্ণনা যে অসমীয়া সভ্য তিৰুতাৰ মনৰ আঁহে আঁহে সোমাব তাত আশ্চৰ্য্য কি ?

গ্ৰন্থৰ নায়িকা ৰুক্মিণী কন্যা যেনে ৰূপৱতী তেনে বুদ্ধিমতীও ; ইয়াৰ প্ৰমাণ, ৰুক্মিণীয়ে

বেদনিধিক মতাই অনাই বুধি-ভাগ দি কৈ-মেলি যেনেকৈ কৃষ্ণৰ ওচৰলৈ পঠিয়াইছিল, সেই কথা পঢ়িলেই পোৱা যায়। হঠাৎ বিপদৰ কথা শুনি আন ছোৱালীৰ দৰে তেওঁ সৰল মুখকচ কৈ আৰু কান্দি ব্যাকুল হৈয়েই আশা-নাৱৰ গুলি-বঠা এৰি নিদিলে, বা মাকৰ ওচৰলৈ গৈ কান্দি মাককো শোকাকুল কৰাটোকেই শ্ৰেয়ঃ বুলি নাভাবিলে। তেওঁ "বিপদি ধৈৰ্য্যং" ধৰি বুধি উলিয়াই,—তেওঁৰ সৰুৰেপৰা তোলা, [illegible]-সেৱা শিকোৱা বিশ্বাসী বেদনিধি বাপক মতাই অনাই মনৰ দুখৰ কথা কৈ, কৃষ্ণক মাতি আনিবলৈ দ্বাৰকালৈ পঠিয়াই দিলে। বুঢ়া বয়সীয়া পণ্ডিত বাপুক মাখোন কন্যা-কাল উকলি যোৱা ছোৱালী এজনীয়ে যেনেকৈ শিকাই-পঢ়াই কৃষ্ণৰ ওচৰলৈ পঠিয়াইছিল দেখিলে সেই ছোৱালীক বাহাদুৰি দিব লাগে। "ৰুক্মিণী বোলন্ত তুমি মোক আছা জানা। পিতৃ মাতৃ কৰি তোমাতেসে বুলি। সংসাৰত হিতকাৰী তুমি গুৰু বাপ। খণ্ডাযোক মোৰ মনে মোৰ অভিতাপ ॥ এই কেইষাৰ কথাৰে তেওঁ বামুণৰ মনটো কোমলাই লৈ ক'লে—"দ্বাৰকাক যাযো তুমি মাধৱৰ পাস ॥ আগে মোৰ নমস্কাৰ কৰিবা অশেষ। পাচেসে কহিবা মোৰ বচন সন্দেশ ॥ তুমুৰ চৰণে মোৰ হেন কথা কহিবাহা। তোমাৰ চৰিত্ৰ গুণ, দেশান্তৰী মুখে শুনি, স্বামী ভাবে বৰিলোঁ তোমাক ॥ ইঠাৱৰেপৰা হেঁৰা, সহস্ৰ প্ৰণাম কৰোঁ, জানু শিৰে চপৰায়া মাথ। সঘোনে সচেতে মই, তোমাকেসে চিন্তি আছোঁ, তুমি মোৰ হেৰা প্ৰাণনাথ ॥ কায় বাক্য মনে মই তোমাৰেসে ভাৰ্য্যা হৈবোঁ, নোহোক নেনোক শিশুপালে ॥ অনন্ত সিংহৰ আগে, বঁটা থৈয়া আছে যেন, নহৰোক অধম শৃগালে ॥ জৰাসন্ধ আদি কৰি, যতেক নৃপতি আছে, তোমাৰ আগত যেন তৃণ। প্ৰচণ্ড বাঘৰ আগে, যেন গাৱ মেলাৱন্ত, অতিক্ষুদ্ৰ মৃগ যে হৰিণ। কেন আছা বাট চাই, দিনে এক যুগ যায়, মোক কিয় নেলা আসি ঝাণ্টে ॥ কতবা জন্মৰ ভাগে, পুণ্য বলে পাইবোঁ লাগ, তুমি হেন স্বামী সেৱিবাক ॥ সুন্দৰ তৰুণ তনু, ত্ৰৈলোক্য মোহন মূৰ্ত্তি, প্ৰথম বয়স অভিমত। তব ৰূপ গুণে ভুলি, নবৰিব স্বামী বুলি কোন তিৰী আছে সংসাৰত ॥'

ইয়াৰ পিছত ৰুক্মিণীয়ে কৃষ্ণলৈ বুধি শিকাই দি পঠিয়াইছে, বন্ধু বান্ধৱ জ্ঞাতি কুটুম্বক নবধি, ৰক্তপাত নকৰি, সুকলমে সহজে কেনেকৈ কৃষ্ণই তেওঁক লৈ যাব পাৰিব।—"হেনবা বুলিবা কন্যা, অন্তেসপুৰত থাকা, কেন মতে লাগ পাইবোঁ বাই। বন্ধু বান্ধৱক মোৰ বধিবাক নলাগয়, শুনা কহোঁ তাতাৰ উপায় ॥ বিবাহৰ পূৰ্ব্ব দিনা, অন্তেসপুৰৰ হন্তে, যাইবো ভৱানীক পূজিবাক। তোমাৰেসে বাঞ্ছা যদি, আছে মোক প্ৰভুদেৱ, সেহি বেলা হৰিবাঁ যাবাক ॥ মোক যেবে হেলা কৰি, নেনা আসি প্ৰভু হৰি, থাকিবোঁহো এহি মতে পৰি। প্ৰাণান্তিকো একো কালে, শিশুপাল নৃপতিৰ ছাঁয়াতো নিদিওঁ মই ভৰি ॥ তব চৰণক যেবে, নেদেখোহো প্ৰভুদেৱ, দিলোঁ পৰিচ্ছেদ এহিমানে। নিৰাহাৰ ব্ৰত ধৰি তোমাতেসে স্ত্ৰীবধ, দিয়া তেবে মৰিবোঁ পৰাণে।' এনেবোৰ মন উতলোৱা কথা কৈও, সুকলমে কাৰ্য্য সিদ্ধিৰ নিমিত্তে এনে বুধি-ভাগ দিও, ৰুক্মিণীয়ে বেদনিধিক কৈছে—"যতেক বুলিলোঁ মই, তাতো শতগুণ কৰি, আপুনি কহিবা তুমি কথা। মাধৱক মাতি বুলি যেনে তেনে আনিবাহা, যেবে তব মোত আছে বেথা ॥ হেৰা দেখা শিশুপাল, নৃপতি পাপীষ্ঠ ইটো, আসি ৰহিয়াছে মোক চুম্পি। বিষ্ণুৰ বিলম্ব ভৈলে, আসিয়া নপাইবা মোক, মৰিবোঁ তোমাতে প্ৰাণ সম্পি ॥'

এই ছোৱালীটি "তাৰিফ" কৰিবলগীয়া ছোৱালী নহয় নে? বেদনিধি বাপুও প্ৰবোধ দিব নজনা বাপু নহয়। "ই কাৰ্য্যক লাগি আই, চিন্তা দুখ পৰিহৰ, চকুৰ মলছ তই পানী। আছন্তোক কৃষ্ণদেৱ, আকাশৰ চন্দ্ৰমাক, হাততে দিবাক পাৰোঁ আনি। মোহোত কহিলি যেবে, সাধিবোঁ সকলে কাৰ্য্য, স্থিৰ কৰি থাক দৃঢ় চিতে। বচন শিলৰ ৰেখা, আৰ মুনিমাই দেখা, আনিবোঁ কৃষ্ণক তিলেকতে ॥"

ৰুক্মিণীয়ে এই প্ৰবোধ শুনি আশ্বস্ত হৈ আকৌ ব্ৰাহ্মণক সাৱধান কৰি দিছে, কাৰণ তেওঁ জানে যে গোপনকৈ কাৰ্য্য কৰিলেহে নিৰ্ব্বিঘিনিয়ে সিদ্ধি হ'ব।—"আনে যেনে নজানয়, গোপ্য কৰি যাইবা গুৰু কথা যেন নোহয় প্ৰচাৰ ॥" বামুণে উত্তৰ দিলে—"মোক শিকাইবাক নলাগয় ই কাৰ্য্যে, আপুনি মই ডাঠ। দ্বাৰকালৈ গৈ কৃষ্ণক সঁচাকৈয়ে তেওঁ ৰুক্মিণীয়ে কোৱা মতে সকলো কথা ক'লে, আৰু ৰুক্মিণীয়ে কোৱা মতেই "কহিলন্ত বেদনিধি তাতো দশ গুণ।"

ৰুক্মিণী ইমান বুদ্ধিমতী ছোৱালী, কিন্তু তথাপি বহুত দিনৰ পিছত দ্বাৰকাত এদিন কৃষ্ণই তেওঁক ঠাট্টা কৰি ধেমালিতে একাষাৰ কথা কৈছিল, তাতে তেওঁ ভয় আৰু বেজাৰত প্ৰাণৰো আশা পৰিত্যাগ কৰিছিল,—"ৰুক্মিণীক কৰিলন্ত প্ৰেমে পৰিহাস। ভয়তে ভৈলন্ত দেৱী প্ৰাণতো নৈৰাশ ॥" বুদ্ধিৰ প্ৰখৰতা থাকিলেও যে অনেকে সামান্য ঠাট্টা ধেমালি বুজিব নোৱাৰে এয়েই তাৰ প্ৰমাণ।

ৰুক্মিণী পাঁচো ভাইৰ অতি ৰমৰম ভনীয়েক, তথাপি ৰুক্মিয়ে কৃষ্ণৰে সৈতে তেওঁক বিয়া দিবি

তেওঁৰ মূৰ্খৰ পাত্ৰ শিশুপালেৰে সৈতে বিয়া দিব খোজাত তেওঁৰ খং উঠি মনে মনে ৰুক্মিণীয়ে কৰা এই শিশুপালৰ প্ৰতি unparliamentary ভাষা প্ৰয়োগ কৰা অৰ্থাৎ গালি পৰাটোও স্বাভাৱিক নহয় নে ?—"ভাই মোহে দিলো পাপী পৰম চণ্ডাল। উপজি নমৰি কিয় আছোঁ এত কাল॥ কোন মতে মঞ্চ মোৰ কৃষ্ণ হেন স্বামী। কিনো নিদাৰুণ তই ভৈলি অধোগামী॥...হেন মনোৰথ মোৰ কৰিলি বিফল। জ্যেষ্ঠ ভাই মোহ সাতশৰুতো অনল॥ মোহোৰ কৰ্মেসে উপজিলি সুবাসতু।...তথাপি কৃষ্ণক চিন্তি এৰিবোঁহো প্ৰাণ। কদাচিতো মই স্বামী নকৰিবোঁ আন॥ মোক বিয়া কৰিবাক আইল শিশুপাল। মোৰ মনে ভেবেতো জীৱন ভৈল ভাল॥ তাহাৰেসে মুখে মোক বিহাইবাক পাৰে। সিংহৰ ভাৰ্য্যাক যেন শৃগালোসে ধাৰে॥ (অৰ্থাৎ মোক বিয়া কৰোঁতা তাৰ মুখখন চাও; সিংহৰ ভাৰ্য্যাক শিয়ালে নিবলৈ আহিছে।) চন্দ্ৰ ধৰিবে খোজে শিশু হাত তুলি। সূতক ৰাজ্যে যেন চুৰুৱ ভেকুলি॥....সেই মতে আশা শিশুপাল নৃপতিৰ। তাৰ মুখে স্বামী হৈবে পাব ৰুক্মিণীৰ॥ ত্ৰৈলোক্যৰ নাথ মাধৱক এৰি যাই। কোনে শিশুপালক বৰিব চক্ষু চাই॥ সিংহ এৰি শৃগালক ভজে কোন প্ৰাণী। দুগ্ধ এৰি কোনজনে খায় খাৰপানী॥"

ককায়েকক খণ্ডত এনেকৈ গালি পৰা ৰুক্মিণীয়েও, যুদ্ধত যেতিয়া কৃষ্ণই ৰুক্মিক হৰণাই কাটিবলৈ দা দাড়ি লৈছিল, তেতিয়া কেনেকৈ নিজৰ চকুৰ লোৰে গা তিয়াই তিহাৰ আঁচল পাতি ককায়েকৰ প্ৰাণ ভিক্ষা কৰি স্বৰ্গীয় ভ্ৰাতৃস্নেহ দেখুৱাই জগতক বিমোহিত কৰিছিল। সেই স্বৰ্গীয় দৃশ্যই প্ৰাণত শীতল শান্তি দান কৰে—"আথেবেথে মাধৱৰ চৰণত ধৰি। অনেক কাতৰ কৰি মাতন্ত সুন্দৰী॥ ৰাখাঁ ৰাখাঁ প্ৰভু আৰ নলৈয়োক প্ৰাণ। অঞ্চল পাতিয়া আৰে মাগোঁ ভ্ৰাতৃদান॥ তোমাৰ আগত ইটো যেন ক্ষুদ্ৰ মশ॥ ইহাক কাটিলে হৰি হৈবে কোন যশ॥ তোমাক বিৰোধ কৰি খাইলে দুই আখি। মৰিবাক লাগিয়া হাতীক যুজে মাখি॥ সিংহক জোকাৱে যেন ক্ষুদ্ৰ মৃগ হুই। দোষক চাহান্তে ৰাখিবাক যোগ্য নুই॥ তথাপিতো মোক চান্তে কৰিয়োক ৰক্ষা। যত লাগে আনো মতে কৰিয়োক শিক্ষা॥ যিহোক সিহোক মোৰ হয়ে জ্যেষ্ঠ ভাই। ইহাক কাটন্তে কোন সতে থাকোঁ চাই॥ শশীপ্ৰভা আই মৰিবন্ত পুত্ৰশোক। আমাক গৰিহা কৰিবন্ত সৰ্ব্বলোক॥ ভ্ৰাতৃবধ কৰাইলেক স্বামীক অনাই। ৰুক্মিণীক পৰে দুৰাচাৰী আন নাই॥ ক্ষমা কৰাঁ মোৰ মাথাকোক কুখিৰাত্তি।.....ৰবি আনিবেক যেখা নাই মাত্ত বোল। তোমাৰ হাতত ঠাই ভৈল খৰ্ব্ব বোল॥ জীয়োক ভৈলাই মোৰ দাম্ভে লওঁ খেৰ। হেন জানা তোমাৰ খাণ্ডাৰ ভৈল চেৰ॥ আপোনাৰ কু বুদ্ধিয়ে খৈল বসাতল। মৃতক প্ৰাণীক কাটিবাৰ কোন ফল॥ তথাপিতো ক্ষমা যেবে নাহিকে তোমাৰে। ভাই ভগিনীক কাটিয়োক একেবাৰে॥ এহি বুলি মকমকি কান্দন্ত সুন্দৰী। তিতিল লোতকে মাধৱৰ দুই ভৰি॥"

এই ৰুক্মিণীৰ স্বভাৱ মাক শশীপ্ৰভাই ভালকৈ জানিছিল। সেই দেখি তেওঁ ৰুক্মিৰ মৃত্যুৰ বাতৰি (মিছা বাতৰি) শুনি কান্দি কৈছিল,—"তোহোক কাটন্তে চাই, থাকিবা ৰুক্মিণী আই, প্ৰাণক ধৰিব কোন মতে। পুত্ৰ শোক পায়া ঘোৰ, সি কি ভগাই জীয়ে মোৰ, জানিলোঁহো মৰিল জগতে॥" যুদ্ধৰ অন্তত বলভদ্ৰই যেতিয়া কৃষ্ণৰ ৰথৰ ওচৰলৈ আহি দেখিলে, "ৰুক্মিক দেখিলা গৈয়া বিকৃত কুবেশ। গোবিন্দে নিগুৰিত চাঞ্চিলন্ত গোফ কেশ॥ কান্দনা লাঞ্ছনা হৰি কাটি চৰণে চুই। পৰি আছে ৰুক্মীৰ অধোমুখ হুই॥" আৰু "তোকে লাগি মহা মৰ্ম্মে গালে হাত দিয়া। কান্দিয়া আছন্ত সতী ভায়েকৰ জীয়া॥ সৰসৰি নয়নৰ পৰয় লোতক" এনে অৱস্থাতো জেঠালেক বলভদ্ৰক দেখি ৰুক্মিণীয়ে মূৰত ওৰণি ল বলৈ পাহৰা নাছিল। এইটো স্বভাৱতে কেনে সুন্দৰ! আকৌ চোৱাঁ, বলভদ্ৰই ৰুক্মিণীক প্ৰবোধ দিবৰ মনেৰে ভায়েক কৃষ্ণক কেনেকৈ বকিছে—"ৰুক্মিণীৰ তাপ দেখি বলো সকৰুণ। কৃষ্ণক বোলন্ত তুমি কিনো নিদাৰুণ॥ কিসক কৰিলা কুটুম্বৰ মৰ্ম্মভেদ। কোন কাৰ্য্যে দিয়া বোৱাৰীক হৃদি খেদ॥ আনে পিন্ধাবয় আনি চন্দন কুঙ্কুম। তুমি চুণে চুইলা নৱ সম্বন্ধী কুটুম। ইহাৰ অৱস্থা দেখি মনে লাগে দুখ। কেন মতে বধাৰীৰ চাহিবাহা মুখ॥ ৰুক্মিক কৰিলা এতমান বহু শাস্তি। হেনসে নিৰ্দ্দয় ভৈলা খেলা কুখিয়াতি॥" কৃষ্ণক এইদৰে বকি তেওঁ ৰুক্মিণীক প্ৰবোধ দি ক'লে—"এৰা মনকষ্ট শোক নকৰিবা সতি॥ ক্ষত্ৰী জাতি ভৈলে হোৱে হেন ব্যৱহাৰ। বিবাদ লাগিলে ভাই ভাই চিন্তে মাৰ। দাৰুণ ক্ষত্ৰিয় জাতি হেনসে অবোধ। সংগ্ৰাম লাগিলে পিতা পুত্ৰে কৰে যুধ॥.... হেন জানি মাৰ তুমি নকৰিবা মৰ্ম্ম॥ দুৰ্জ্জন ৰুক্মিও নেৰে কন্দনৰ আশ। মন্দ কাৰ্য্য কৰিয়া আপুনি হোৱে নাশ॥ আৰ কোন হানি হোৱে কিয় আসে খাই। উদয়াৰ খাওে যেন মৰে মাটি খাই॥ ইহাৰ নকাটো দোষ বিধিৰ বিপাক। কোনে এৰাইবাক পাৰে বিধি লিখিতাক॥ হেনয় লাঞ্ছনা হৈব কৃষ্ণৰ হাতত। লিখিলে বিধাতা হৈবে আৰ কপালত॥" কেনে সুন্দৰ বুজনি! আৰু কেনে চেনেহৰ মাতেৰে দিয়া!

কৃষ্ণ বেৰিয়া ৰুক্মিণীৰে সৈতে দ্বাৰকাৰ ঘৰ সোমালগৈ মাক দৈৱকীয়ে "সধবা সুন্দৰী নাৰীগণ লৈয়া সঙ্গে ॥ পুত্ৰ বহাৰীক আগ বাঢ়ি গৈলা ৰঙ্গে। মাতৃক দেখিয়া হৰি যান্ত ধীৰে ধীৰে। ৰুক্মিণী সহিতে প্ৰণামিলা জানুশিৰে ॥ চিৰঞ্জীৱ হোৱা বুলি আশীষিলা সতী। ৰুক্মিণী বহাৰীয়েৰে হৌক স্বৰগতি ॥ ৰুক্মিণীক দেখি কৰে দৈৱকী হৰিষ ॥ সাফল বহাৰী পাইলোঁ পুত্ৰ সদৃশ ॥ দুই-হাতৰ হস্তক কৰিয়া এক ঠাই। গৃহ প্ৰবেশিলা নিয়া আনন্দ বঢ়াই ॥ সবে কন্যাগণে হাতে দীপ ঘট তুলি। আনন্দে সুন্দৰীগণে পাৰন্ত উৰুলি ॥"

ওপৰৰ ডোখৰ পঢ়িলে অসমত বাহী-বিয়াৰ দিনা ছোৱালীৰে সৈতে দৰা ঘৰলৈ উভতি অহা যেন নালাগে নে?

ফটুৱাই-ফটা ভৰিৰে বাটকুৰি বাই গৈ বেদনিধি বাপুৰে দ্বাৰকা পালত কৃষ্ণই তেওঁক "অন্তেসপুৰক লাগি নিলা আস্কোৱালি ॥ সুবৰ্ণৰ খাটত বসাইলা নিয়া ধৰি। আপুনি ধুৱাইলা কৃষ্ণে ব্ৰাহ্মণৰ ভৰি ॥ দিব্য পঞ্চামৃত অন্ন কৰাইলা ভোজন। পৰম সন্তোষ ভৈল ব্ৰাহ্মণৰ মন ॥ সুবৰ্ণ খাটত ষেলাইলা পাছে গাৱ। তৈল লৈয়া গোবিন্দে জাস্তিলা হাত পাৱ ॥" দুখীয়া বামুণে এদিনলৈ সোণৰ খাট পাই কি যে পাইছিল, সেইটো "ষেলাইলা" কথা-ষাৰে সুন্দৰকৈ প্ৰকাশ কৰিছে। খোজ কাঢ়ি চাৰি দিনৰ বাট বাটকুৰি বাই যোৱা বাপুৰে কৃষ্ণৰে সৈতে কৃষ্ণৰ বেগী ৰথত মূৰ নুফুৰোৱাকে তিষ্ঠে কেনেকৈ? গতিকে ৰথৰ বেগত তেওঁৰ দুৰ্দ্দশাৰ সীমা নাই ;—"সৈব্য, সুগ্ৰীৱ, মেঘপুচ্ছ, বলাহক। ছল বল কৰে যোৱা লঙ্ঘিব আকাশক ॥" এনে ঘোৰা ৰথত লগাই দাৰুকে বেৰিয়া চাবুক মাৰি দিলে—"শ্ৰুতিভঙ্গ ভৈল বেদনিধি বেগ দেখি। দুই হাতে চাকি মুদিলন্ত দুই আখি ॥ পৰম বিহ্বল ভাৱ হয়া দ্বিজৰাজ। ফুৰণি দেখিয়া পৰিলন্ত ৰথ মাজ ॥ আলোল্য ব্ৰাহ্মণ জাতি কোমল শৰীৰ। কৃষ্ণৰ ৰথৰ বেগে কেনে হৈবে থিৰ ॥ নাকাঢ়ে উশাস অচেতন বেদনিধি। উখসিল পেট একো নাই ধিধিসিধি ॥" বামুণৰ অৱস্থা দেখি কৃষ্ণই "আথেবেথে সাৰটি ধৰিলা আস্কোৱালি ॥ দেখিয়া দাৰুকে ৰাষজৰীক আজুৰি। ৰাখিলন্ত ৰথক ঘোৰাৰ মুখ মুৰি ॥ নলৰয় পেট ভৰি হাত বুলাই চাইল। ক্ষকন্তে ক্ষকন্তে কথমপি ধাতু আইল ॥ ব্ৰাহ্মণৰ শিৰে ধৰি ঢালিলন্ত পানী। চিৰিকি চিৰিকি মাত্ৰ লৰে ধাতুখানি ॥ থিৰ হোৱা বেদনিধি দৃঢ় কৰা চিত।" এই বুলি কৃষ্ণই অনেককৈ বামুণক মাতিলত, বামুণে অলপ জ্ঞান পালে, কিন্তু তেতিয়াও তেওঁৰ মূৰ-ফুৰণি যোৱা নাই, গতিকে তেওঁ চকু নেমেলাকৈ বলিয়ালি উত্তৰ দিলে—"নিচিনোহোঁ তোমাক তুমিৰা কোন জন। কৈৰ হন্তে আসি আছোঁ কোথেৰ ব্ৰাহ্মণ ॥ কোন থানে পৰি আছোঁ কি কাৰণে আসি।"

যি হওক শেহত বামুণে ভালকৈ জ্ঞান পালে, আৰু এই যাত্ৰালৈ তেওঁ ৰক্ষা পৰিল। "হেন শুনি বেদনিধি কিছু শ্ৰুতি পাইলা। ধীৰে ধীৰে মাধৱক চক্ষু মেলি চাইলা ॥ কৃষ্ণক বোলন্ত গোসাঁই লাগিল চমক। আৰু খনিতেকে গৈয়া দেখোঁহো যমক ॥ ৰথৰ এনুৱা বেগ নতু দেখি শুনি। এৰাইলোঁ প্ৰমাদ আজি তোমাৰেসে গুণি ॥ আউৰ জানো হেন বেগ ধৰন্ত দাৰুক। অদ্যাপিও তৰতৰি কাম্পে মোৰ বুক ॥" এই কথা শুনি দাৰুকে ৰথ লাহে লাহে ডাকিবলৈ ধৰিলে। এই বৃত্তান্তটো কেনে কৌতুকপূৰ্ণ। সদায় খোজ কাঢ়ি ফুৰা আৰু টানি-মানি হয়তো কোনোৰা-কাচিৎ ভেৰোণীয়া ৰথত (ঠিকাগাড়ীত) উঠা বামুণে কৃষ্ণৰ ঘৰুৱা প্ৰথম শ্ৰেণীৰ ৰথত (চোৰ্ধৰীৰে Private carriage) উঠি যে এনে বিপদত নপৰিব তাত আচৰিত কি?

ৰুক্মিণী-হৰণত থকা শিশুপাল আৰু ৰুক্মিৰ গালিবোৰ আৰু কৃষ্ণৰ উত্তৰবোৰ সাধাৰণত ইমান লোকৰঞ্জক যে সেইবোৰ সকলোৰে মুখে মুখে। যেনে শিশুপালে কৃষ্ণক :—"শুনৰে যাদৱ কালকূট অনাচাৰী। চুৰি কৰি নেস মোৰ বিবাহৰ নাৰী ॥ স্বভাৱতে যদুবংশী নাৰীত লম্পট। সবাৰো উপৰি কৃষ্ণ তই ভৈলি ষট ॥ একো নবাছস তই নাহিকে সম্বন্ধ। গুণি চায়ো তোত পৰে আছে কোন মন্দ ॥ বাৰে বাৰে মোত তই লগাৱস ষাটি। হেন কি জানস তোক নাপাৰোঁহো আটি ॥ আগতে কন্যাক নেস এত মান সাস। কালে গ্ৰাসিলেক আজি নেযাবে নেবাস ॥" ইয়াৰ উত্তৰত বুকু-শালি যোৱা কৃষ্ণৰ কথা,—"হেন শুনি হাসি, মাধৱে বোলন্ত ; শুন অৰে শিশুপাল। কৈত শুনি আছ, সিংহক সমুখে, জিনিবে পাৰে শৃগাল ॥ তোৰ কি নিস্তাত, আমি অল্প হওঁ, এৰ পাপী গৰ্ব্ব বোল। হেন কি জানস, কাকে ভৰচিলে, অপবিত্ৰ হোৱে দোল ॥ তোৰ যত গৰ্ব্ব, আজি কৰো চূৰ, খানিতেক থাক থাক।" ইত্যাদি।

ৰুক্মিয়ে কৃষ্ণক,—"শুন অৰে যদুবংশী কৃষ্ণ দুৰাচাৰ। কেনে চুৰি কৰি নেস ভগিনী আমাৰ ॥ নুগুধিলি কন্যা তই মোত নুখুজিলি। আৰে কোন লাজে চাম্প দেস যেন চিলি ॥ যেন চোৱা ক্ৰাকে লৈয়া যাৱ সোন্দাকল। খানিতেক ৰহ আজি দিবোঁ প্ৰতিফল ॥ আন নৃপতিৰ মতে আমাক জোতাস। ৰুক্মি কুমৰৰ তই আটা নতু পাস ॥ প্ৰৱল বাবৰ

আগে মেলাৱস গাৱ। কংসাল সপৰ যেন লাগে দেস পাৱ॥ মৰিবাক লাগিয়া যমত কৰ খেৰি। আজি তোক নামাৰি গেন্থৰে না-।ও এৰি॥ ৰুক্মিণীক মেলাই যেবে নকৰোঁ উদ্ধাৰ। নপশিবো কুণ্ডিনত মোৰ অঙ্গীকাৰ॥"

ইয়াৰ কৃষ্ণৰ চোকা উত্তৰ শুনা,—"হেন শুনি হৰি, হাসিয়া বোলন্ত, শুন অৰে ৰুক্মি চণ্ড। গুৰু গৌৰৱক, একো নমানস, তই ভৈলি যেন ষাণ্ড॥ পিতৃত মাতৃত তোৰ মান্য নাই, কাহাকো নামান আউৰ। মুখ চাই চাই, কতেক ৰটস, ঠোট কটা যেন কাউৰ॥ তোৰ নিন্দা বাণী আমাক নপাৱে; শুন দুৰাচাৰ বাম। যতেক কুকুৰে, কানোৰ মাৰয়, তথাপি আঠুৰ নাম॥ মোক গালি পাৰি, কোন যশ পাইবি, দেৰ গুণি চাই চিত্তে। নাতেসে আগল, যুদ্ধত পাগল, জানিলোঁ তোক ইঙ্গিতে॥ যিটো মহাবীৰ, স্বভাৱে গম্ভীৰ, ইতৰে নপনপাৱে। কৈত শুনি আছ, শৃগালৰ ঠানে, সিংহে ঘনে ঘনে ৰাৰে॥"

শঙ্কৰদেৱৰ লেখনীৰপৰা কেনে স্বলন্ত ভাৱে যুদ্ধ বৰ্ণনা ওলায় চোৱা। তলত দিয়া ৰুক্মি আৰু কৃষ্ণৰ যুদ্ধৰ বৰ্ণনা পঢ়িলে, সেই যুদ্ধ চকুৰ আগতে দেখি থকা যেন লাগে।—"এহি বুলি হৰি, শাৰঙ্গক ধৰি, বৰিষিলা শৰ মাতি। ঢাকিল আকাশ, সূৰ্য্যৰ প্ৰকাশ নাহি, যেন ভৈল ৰাতি॥ দেখিলা কুমৰে, মাধৱৰ শৰে, দিনতে ভৈল আন্ধাৰ। ক্ৰোধে ধনু ভিৰি, বায়ু বাণ যুৰি, কৰিলা বীৰে প্ৰহাৰ॥ মাধৱৰ বাণ, তুলা যেন ঠান, উৰুৱাই বায়ু বাণে॥ সাৰথি ৰথক, ঘোৰাৰ ধ্বজক, বিন্ধিলেক ৰৰ টানে॥— দেখিলা যবক, চাৰিও ঘোটক, দাৰুকো বিশ্ৰুতি ভৈলা। বজ্ৰ সম ঘাত, শৰ দশপাট, ধনুত চৰাইলা আনি। টানি কৰ্ণমানে, সুদৃঢ় সন্ধানে, প্ৰহাৰিলা চক্ৰপাণি॥ দশো শৰ ছুটি, শৰীৰত ফুটি, পিঠিত বজাইল গোটে। ভৈল অচেতন, ভীষ্মক নন্দন, মাধৱৰ খৰ চোটে॥ ক্ষণেকে সাৰিম, হুৱা মন সম ৰঙ্গে ৰুক্মিবীৰ ৰাগি। অতি তীক্ষতৰ, ক্ষুৰপাট শৰ, হানিল কৃষ্ণক লাগি॥ তাকো নাৰায়ণে, অসংখ্যাত বাণে, কাটিলা তিলত চোটে। মুষ্টি কৰি ডাট, ভল্ল তিনি পাট, বিন্ধিলা তাৰ ললাটে॥ কপাল ফুটিয়া, ৰোষানে তাহাৰ, বহি যায় তেজ ধাৰ। প্ৰকাশে কুমাৰ বসন্ত কালৰ, পুষ্পিত যেন মন্দাৰ॥ শৰ ঘাৱ পাই, দুগুণে কিটাই কৰিয়া ৰুক্মি আস্ফোট। ধনু এৰি পাছে, তুলি আলগাইলা, ভয়ঙ্কৰ গদাগোট॥ মাথাৰ ওপৰে, তুলি সাত পাক, হানিলা গাৱৰ বলে। ভয়ঙ্কৰ গদা, কৃষ্ণক লাগিয়া, বিষাদ শবদে চলে॥ হৰিও হানিলা, কৌমুদকী গদা, আকাশ ছানি জৰিল। ৰুক্মিৰ গদাক, চূৰ্ণীকৃত কৰি, কৃষ্ণৰ হাতে চৰিল॥ দেখিলা কুমাৰে, শক্তি ধৰি কৰে, দুনাই পঠাইলেক ক্ষেপি। দেদীপ্যমান, অগ্নি যেন ঠান, চলিল গগণ ব্যাপি॥ তাকো ক্ষুৰ শৰে, দেৱ দামোদৰে পথতে পেলাইলা কাটি। আতি তীক্ষতৰ, ষাঠি গোটা শৰ, প্ৰহাৰি পঠাইলা ডাটি॥ ৰুক্মিৰ হিয়াত, পৰি দশ শৰ, পুঙ্খমানে গৈলা তল। নাহি শ্ৰুতি জ্ঞান, মৃতক সমান, কুমাৰ ভৈল বিহ্বল॥ ফুৰি ফুৰি ৰথে, পৰি মূৰ্চ্ছা গৈল, সাৰথি আকলি তাক। আতি মহা দ্ৰুতে, ৰথখান টানি ডাকিলা চাৰি ঘোৰাক। কতো দূৰ মানে, নিলা পলুৱাই, কুমাৰক ৰক্ষা কৰি॥"

ইয়াৰ অলপ বেলিৰ পিছত ৰুক্মিয়ে চেতনা পাই তেওঁক যুদ্ধৰপৰা পলুৱাই অনা বাবে সাৰথিক কদৰ্থনা কৰি, উভতি আহি আকৌ যুদ্ধিবলৈ কৃষ্ণৰ সমুখ হ'ল। "ৰুক্মিও সমুখ ভৈলা ধনু ধৰি কাছি। ক্ষুৰিপাট শৰ তূণ হস্তে লৈলা বাছি॥ আকৰ্ণ পূৰিয়া শৰ পঠাইলন্ত ক্ষেপি। দেখি কৃষ্ণে পথতে কাটিলা অৱলেপি॥ সেহি বেগে প্ৰহাৰিলা অৰ্দ্ধচন্দ্ৰ শৰ। হাতাতে কাটিলা ধনু ভীষ্মক পুত্ৰৰ॥ ছয় শৰে কৰচকো পেলাইলন্ত কাটি। দেখি ৰুক্মি আন ধনু ধৰিলন্ত ডাটি॥ ক্ৰোধে জ্বলি গৈলা যেন অগ্নি প্ৰলয়ৰ। খৰ চোটে প্ৰহাৰিলা একানৈব্ব শৰ॥ ঘোৰাকো শালিয়া থৈলা দশ দশ শৰে। ক্ষুৰি শৰে ভেদিলেক ধ্বজৰ উপৰে॥ মাধৱক একাদশ, সাৰথিক ক্ষুৰি। মূৰ্চ্ছিত দাৰুক যেন ধাতু গৈল উৰি॥ এৰিলন্ত বাঘজৰী ৰথ ফুৰে পাক। দেখি কৃষ্ণে নিয়মিলা আপুনি ঘোৰাক॥ সাৰথিক আশ্বাসিয়া কৰিলন্ত খিৰ। দুনাই দাৰুক ভৈল নিৰুজ শৰীৰ॥ ঘোৰাৰ কাঢ়িয়া শৰ মাঞ্জিলন্ত গাৱ। গুণন্ত মাধৱে দেখি ৰুক্মিৰ প্ৰভাৱ॥ কিনো ইটো দাৰুণ অশঙ্ক বীৰগোট। মোকে হেন আন কোনে সহিবেক চোট। ভালেতো ইয়াৰ ভয়ে কম্পে দেৱাসুৰ। জগত কণ্টক ৰুক্মি পৰম দন্দুৰ॥...... এহি গুণি ধনু ধৰি কৰিলা টঙ্কাৰ। ৰুক্মিক বোলন্ত অৰে শুন দুৰাচাৰ॥ হেলাতেসে এত খেলা যুদ্ধ তই মোক। হেন জান তোক আগে পঠাওঁ যমলোক॥...... এতি বুলি হৰি প্ৰহাৰিলা বাণগণ। সূৰ্য্যৰ নিকলে যেন প্ৰচণ্ড কিৰণ॥ বিদ্যুত সঞ্চাৰে গৈয়া কুমাৰক পাইল। হৃদয়ত পৰি শৰ পিঠিত বজাইল॥ বাণ ঘাৱে ৰুক্মি বীৰ ব্যথিত শৰীৰ। চোট পাই কম্পে তাৰ উৰু কৰ শিৰ॥ গাৱৰ ৰুধিৰ বহি যায় ৰোষানলে। দুনাই হানিলেক হৰি শৰ সেহি কালে॥ দুই বাণে হাতত কাটিলে ধনুখান। আঠ শৰে চাৰি ঘোটকৰ লৈলা প্ৰাণ॥.. .. ষাঠি শৰে ৰথখান পেলাইলা ৰখালি॥.... হেন দেখি সাৰথিৰ ধাতু গৈল উৰি॥ ...... সাৰথিক বাধিলা বৈকুণ্ঠ হেন জানি॥ স্বৰ হুয়া দেখে ৰুক্মি ৰথ ভৈল ভঙ্গ। মাধৱক লাগি আতি তাৰ ৰব ৰঙ্গ॥ খড়্গহস্তে ভেজ দিয়া নামিল

কুমৰ। মুণ্ড জোকাৰিয়া বীৰে গৰ্জিলা বিস্তৰ ॥ ভয়ঙ্কৰ গদা ধৰি বোলে থাক্ থাক। মাথাৰ উপৰে ঘূৰাইলেক সাত পাক ॥ হু বুলি হানিলেক মাধৱক প্ৰতি। তাক কাটিলন্ত শৰে ত্ৰিজগত পতি ॥ গদা ছন্ন ভৈল দেখি হানিল মুগদৰ। তাকো শৰে ছেদিলন্ত দেৱ দামোদৰ ॥ যেহি অস্ত্ৰ লৰে তাক ছেদে নাৰায়ণ। ক্ৰোধে কি কৰিবে ৰুক্মি নপাৱে চেতন ॥ যত অস্ত্ৰ শস্ত্ৰ পাৱে মানে কোঙাই আনে। মাধৱক লাগি দুই হাতে মেলি হানে ॥ একো দিঙ্গি নাচাই অস্ত্ৰ হানে মত্ত কোপে। তাকো কৃষ্ণে পথতে কাটিলা অৱলেপে ॥ একো অস্ত্ৰ শস্ত্ৰ যেবে নপাৱন্ত খুজি। খাণ্ডা ঢাক ধৰি বোলে মাৰো আক বুজি ॥ ভাব ভঙ্গি কৰিয়া ঢাকত দিলে পাক। উপৰক তুলি ধৰি জোকাৰে খাণ্ডাক ॥ থাক থাক বুলি খেদি যান্ত ঢাক পাতি। সুৱৰ্ণৰ চন্দ্ৰচয় জিকি পাৰে আতি ॥ তাতে গুণ্ঠি লগাই আছে হাজাৰ চামৰ। ৰাখে যেন মাধৱক খেদয় কুমৰ ॥ মাধৱে দেখন্ত ৰুক্মিবীৰ আসে খেদি। খাণ্ডা ঢাক তাৰ হাতে পেলাইলন্ত ছেদি ॥ হৃদয়ত দশ শৰে ভেদিলন্ত হৰি। তথাপিতো দাৰুণে নকৰে পাছভৰি ॥ বজ্ৰমুষ্টি ধৰি ধাইল দশন কামুৰি। পাৰৱ বেগত ভূমি নৰে প্ৰতি ভৰি ॥ বিদ্যুত সঞ্চাৰে গৈলা ৰথ মাজে উঠি। কৃষ্ণৰ হিয়াত বৈসাইলেক এক মুঠি ॥ কিটাইলেক নাৰায়ণ মুষ্টিৰ নিপাতে। চাম্প দিয়া চুলত ধৰিলা বাম হাতে ॥ সিংহৰ হাতত যেন বন্দী ভৈল হাতী। হুঁ বুলি হিয়াত বৈসাইল এক লাথি ॥ মূৰ্চ্ছা গৈল ৰুক্মি বীৰ ভৈল অধোমুখ ॥" ৰুক্মি সচাকৈয়ে বীৰ। কৃষ্ণয়ো এই কথা স্বীকাৰ কৰিব লগীয়াত পৰিছে—"কিনো ইটো দাৰুণ অশঙ্ক বীৰ গোট।"

ৰুক্মিণীহৰণত বীৰ ৰস, কৰুণ ৰস ইত্যাদিৰ দৰে হাস্য ৰসৰো অভাৱ নাই। এডোখৰ বিখ্যাত জুনা তুলি দি আমাৰ কথা ডাঠ কৰো।—কৃষ্ণৰ বিয়াৰ সভাত বহি সকলো দেৱতাই ধন বস্ত্ৰ উছৰ্গা কৰিছে; সদাশিৱও সেই সভাতে; কিন্তু তেওঁৰ দিবলৈ একো নাই; সতিকে তেওঁ লাজত পৰি গুণিব লাগিছে। সেই কথা শঙ্কৰদেৱে কেনেকৈ হাঁহি উঠাকৈ বৰ্ণনা কৰিছে চোৱা—"সবে দেৱগণে উৎসৰ্গি আছে। মনে মনে হৰে গুণন্ত পাছে ॥ কি দিবো আৰে কৰো কোন কৰ্ম। গাৱৰ বস্ত্ৰ সিয়ো ব্যাঘ্ৰচৰ্ম্ম ॥ হাতে লৈয়া আছো শূল ডমৰু। ঘৰে বাজে মোৰ একেটি গৰু ॥ সৰ্পৰ কঙ্কন সৰ্পৰ হাৰ। সকল গাৱে সৰ্প-অলঙ্কাৰ ॥ শিৰত আছে অৰ্দ্ধচন্দ্ৰ কলা। মনুষ্য মুণ্ডে গাঁথি আছো মালা ॥ বোকণ্ডিত আছে ভস্মৰ ধূলি। তাক দিলে লাজ হৈবো সমূলি ॥ চেষ্ট মনে গুণি নপান্ত খুজি।" এইবিলাক এনে মনে গণি মহাদেৱে তলৈ মূৰকৈ ভাবিব লাগিছে, কিন্তু কৃষ্ণ সৰ্ব্বজ্ঞান; তেওঁ মহাদেৱৰ মনৰ ভাব বুজিব পাৰি হাত যোৰকৈ লাহেকৈ মাত লগালে—"কৰযোৰে কৃষ্ণে মাতন্ত বুজি ॥ দয়াসে লাগে নলাগয় আন। হুয়ো সুপ্ৰসন্ন দেৱ ঈশান ॥" এই কথা শুনি ৰৰা পৰি মহাদেৱে আৰু বেছিকৈ লাজ পাই অন্তৰ্দ্ধান হ'ল,—"হেন শুনি হৰে দুগুণে লাজি ॥ বুজিলন্ত কৃষ্ণে আসিজ বাজি ॥ ভৈলোচো লঘু ত্ৰিদশৰ মাজে। ভৈলা অন্তৰ্দ্ধান শিৱাই লাজে ॥" কেনে (humorous) সুন্দৰ কৌতুকপূৰ্ণ অথচ গভীৰ আধ্যাত্মিক ভাৱৰ বৰ্ণনা! এই বৰ্ণনা পঢ়ি সাধাৰণ লোকে তাৰ হাঁহি-উঠা ফালৰ সোৱাদ লৈ আনন্দ পায়, কথা দকৈ সৰি চোৱা পণ্ডিত ভক্তসকলে গভীৰ দাৰ্শনিক তত্বৰ ফালৰ সন্তেদ পাই আনন্দ অনুভৱ কৰে।

ৰুক্মিণীহৰণ পুথিতো শঙ্কৰদেৱে তেওঁৰ নিজৰ বংশৰ পৰিচয় দিছে—"টেম্বুৱানী বন্ধে, বসাইলা প্ৰবন্ধে, বটদ্ৰৱা নামে গ্ৰাম। দুৰ্লভনাৰায়ণে, যাক বহু মানে, দিলা দেৱীদাস নাম ॥ তাহাৰ সন্ততি, মহা ধৰ্ম্মমতি, ৰাজধৰ নাম যাৰ। তান সৰ্ব্বেশ্বৰ, ভৈল সূৰ্য্যবৰ, কায়স্থ কুল উদ্ধাৰ ॥ ব্ৰাহ্মণ সজ্জনে, প্ৰাপ্তি আশা মনে, থাকন্ত যাক উপাসি। যাৰ কীৰ্ত্তিচয় আজিও ভ্ৰময়, মহা মহা যশৰাশি ॥ তাহান তনয়, মহা শুভনয়, প্ৰসিদ্ধ কুসুম নাম। সদকৰ্ম্ম যত, সবাতো পাৰ্গত, গুণতো নাহি উপাম ॥ ভৌমিকতে চূড়ামণি মহাবৰা নখণ্ডে কেহোঁ আস্তাক। বংশতে প্ৰখ্যাত, গন্ধৰ্ব্ব সাক্ষাত, জগতে ৰখানে যাক ॥ তাহান সন্ততি, আতি শিশুমতি শঙ্কৰে ভণে পয়াৰ। পণ্ডিতলোকক, কৰযোৰ কৰো, ক্ষমিও দোষ আমাৰ ॥"

ৰুক্মিণীহৰণ পুথিখন যে শঙ্কৰে তেওঁৰ ডেকাকালত ৰচনা কৰিছিল এইটো ওপৰৰ পদৰপৰা অলপ আভাষ পোৱা যায়, আৰু তেওঁ বৰদোৱা বেলগুৰি আদি ঠাই এৰি ভাটীলৈ অহাৰ আগেয়েই যে এইটোও বুজিব পাৰি। পুথিত ৰসাল ৰচনা আৰু নিভাঁজ অসমীয়া কথাৰ বাহুল্য প্ৰয়োগেও সেই কথাৰ সাক্ষী দিয়ে। অসমীয়াৰ মাজত এই পুথিৰ দ্বাৰাই, হৰিবংশত থকা কৃষ্ণ-কথা কাব্যময় মনোজ্ঞভাৱে বহলকৈ প্ৰচাৰ কৰাই তেওঁৰ তাই উদ্দেশ্য আছিল—"হৰিবংশ কথা ৰচিলা শঙ্কৰে, অশেষ হোক প্ৰচাৰ ॥" "প্ৰণামিয়া হৰি পাৱে, কায়স্থ শঙ্কৰে গাৱে, হৰিবংশ কথাৰ পয়াৰ। হৰিপদ প্ৰসাদত সিদ্ধি হোক অভিমত, পদ হোক অশেষ প্ৰচাৰ ॥" কোৱা বাহুল্য যে তেওঁৰ আশা সাফল্য হৈছিল। ওপৰত তুলি দিয়া তেওঁৰ বংশৰ পৰিচয়ৰপৰা আৰু এটা কথাৰ আভাষ পোৱা যায়, যে শঙ্কৰদেৱৰ বাপেক কুসুমবৰ সঙ্গীত বিদ্যাত পাৰদৰ্শী আছিল—সেইদেখি তেওঁক "গন্ধৰ্ব্ব সাক্ষাত" বুলি

গন্ধৰ্ব্বেহে লৈতে তেওঁ তুলনা কৰিছে ; নতুবা শঙ্কৰদেৱে নিজহস্তে তেওঁ এই খিনিত "গন্ধৰ্ব্ব" শব্দটো কেতিয়াও ব্যৱহাৰ নকৰিলেহেঁতেন। গীত বাৰ্গ ভটিমা চপয়ত কৃতকৰ্ম্মা শঙ্কৰদেৱৰ সেই ক্ষমতা যে (heri litary) পুৰুষানুক্ৰমিক সেইটো এতিয়া ভালকৈ বুজিব পৰা গ'ল।

ৰুক্মিণীহৰণ পুথিত নিভাঁজ ঘৰুৱা অসমীয়া কথাৰ ব্যৱহাৰৰ কেনে প্ৰাচুৰ্য্য, তলত অ'ৰ-ত'ৰপৰা কিছুমান পদ তুলি দি তাক দেখুৱাওঁ—"সাত পাঞ্চ নাহি মোৰ জীয় এক গুটি। কেন মতে আসে প্ৰভু নিশ্চিন্তে ঘুমটি॥" "ৰূপ গুণ চাহি যেন দশে বোলে ভাল॥" "ভাল চাহি দিনে দৈৱে যেহি লাগে হোক॥" "ৰুক্মিণীৰ আবে উৰ্কাশিল কন্যাকাল। "গুৰিব নালাগে বিয়া দিও ৰুক্মিণীক।" "মাধৱৰ নামে সিটো জুইতো নেদে বেৰ।" 'আনাব ভগিনী কোনে দিয়ে মাধৱক।" "মিছা বাদ নকৰগ যেন নাকে খুৰে॥" "বৃদ্ধ বয়সত তুমি এনুৱা অবোধ॥ আনতো নভৈলা তুমি পিতৃ নামে খাইলা। যাদৱ-খোটক বৰ জোৰ'হি বুজি পাইলা।" "তুমু মনে যেন ঘুৰাই তাকে কৰিয়োক।" "কোতুহলে জুমাজুমি ফুৰে কিনি বিকি॥" "মাধৱ স্বামীক লাগি তই আশা এৰ। কৃষ্ণত নেদয় বিয়া ৰুক্মি ভায়েৰ॥" "খিয়েয়ে ভৈল কিছু নাহি বোল মাত॥ "উপজি নমৰি কিয় আছে এত কাল।" 'অমৃতক বাঞ্ছে যেন চুকৰ ভেকুলি।" "দুগ্ধ এৰি সোনজনে খায় খাৰপানী।" "মুখ ওলোমাই কিয় কৰস ক্ৰন্দন।" "ৰুক্মিণী বোলন্ত তুমি মোক আজ্ঞা তুলি। পিতৃত মাতৃত কৰি তোমাতেসে নুলি॥" "সুৰ্ব্ণ খাটত খেলাইলা পাছে গাৰ।" "নাহি সুখ শান্তি মোৰ নুকচয় ভাত। উগুল খুগুল নিদ্ৰা নাগয় শয্যাত॥" "প্ৰলয়ৰ বেৰ যেন সোমাই বায়ু লাগি॥" "ফুকন্তে ফুকন্তে কথমপি ধাতু আইল।" "ৰিনিকি ৰিমিকি মাত্ৰ লৰে ধাতুখানি।" "গলাগোপা কৰে সবে কৌণাৰী নগৰী।" "আসা আই বাই সবে পদুলিক যাওঁ। মাধৱ গোসাই আসে নেত্ৰ ভৰি চাওঁ॥" "মাধৱৰ তেজে সবাহাঙ্কো ধৰষিল।" "পৰৰ শ্ৰাদ্ধত কেনে জানু দিবে লাগে। "মাটি খাই মৰা যেন উলায়াৰ যাও।" "সাজ হুয়া সবওে আসিলোঁ আলোচিয়া। কিছু নতু হস্তে মুণ্ড পোলোকাক দিয়া।' "শুনি যেন জোকৰ মুখত দিলে চুণ।" "ৰুক্মিণীৰ অধিক বিচাট কৰে মন।" "চপাই ৰহিল যেন আম ৰৰণুটি।" "একো সাৰ নিসাৰ নপাইলোঁ বাৰ্ত্তা ভাল। জানিলোঁহো শিশুপাল ভৈল যমকাল।" "ৰুক্মিণীৰ গাৱত ঘৰিলা তৈল ফুৰ। আনিলা পঞ্চাশ ঘট জল আতি জুৰ॥" "বস্তুৰ মেখলা আনি বান্ধিলা কঙ্কালে। মুঠিতে নুকাই যেন ৰতাসতে হালে।" "লক্ষেক নৃপতি খোসমোস কৰি তথাতে থাকিলা চাই।" "কৰে ছুন্দুভ সমজায়ে আউল ভৈল।" "প্ৰমত্ত হস্তীৰ লানি নিছিগয়, ৰথ চলে এক নাড়ি।" "ভায়েৰৰ লাগ ঝাপেট লৈয়োক বপাই॥" "নসহে পৰাণ মোৰ পোৰে আতি পেট।" "কতো পাইলে বুলি বগুৱা লাগিল পৰিল মাটি কামুৰি।" "বাৰিষাৰ মেঘে যেন বৰিষয় ধাৰে।" "যোৰন্তে হানন্তে আন নমনিয় হাত। তেবেসে উমান পাৱে পৰে যেবে গাত॥" "দশকুণ্ডা আগ্নি যেন যুগান্ত কালৰ।" "টেৰ কৰি চাহি বোলে তানো আজি বুৰে।" পলাই "পলাই বুলি যদুসেনা বিদ্ধ দিল।" "ক্ৰোধে দুই চকু ৰঙা ওৰ যেন ভৈল।" "কান্ধত নাঙ্গল দিয়া কাকো চাপৰাই।" "আঠো বাজা নালকাল ভৈল সমুদাই। চালো পৰেঁ। কৰে পলাই পাছুক নাচায়॥ বগুৱা লাগিল কতে যাই আঠুকাড়ি। পাছত মাৰকে যায় কিল খুন্দা বাৰি।" "পলাইবে নপাৰি কতো পৰে জুটি খায়।" "দান্তে খেৰ তুলি কতো কৰে কাউবাউ।" "কাকো পেলাই গুৰিবাৰে যেনে মাটি খচে।" "নুযুজিপি বুলিয়া কুকুৰি পাখি আৱে।" "চেৱ লৈয়া নাচে কতো চাপৰি চাপৰি।" "সবে আপোনাক ৰাখৈ, ধান দিলে হোৱে আখৈ, মুখ আতি শুকাই তৰতৰি।" "মোৰেসে ভগিনী নেয় কাৰ কিবা হানি, আনৰ অৱত কোনে আনে পীয়ে পানী।" "অনাবাৰে আগত পৰয় বৃক্ষ ভাগি॥" "আকাশত শগুণ বনাৱে জাকে জাকে। মুখ চাই চাই তাব ৰটে ঢোণ্ডা কাকে॥" "হিলদল ভাগি যায় ৰথ চক্ৰে পথ।" "ঘোৰায়ে হেঁগনি পাৰে চিয়াঁৰে দঁতাল।" "আমাৰ বংশত তই ভৈলি ধূমকেতু।" "এহি বুলি তুমি মোক ভুকুকুৰা আসি।" "মোক যুজিবাক আসা কিনো আটাইটাই।" "যেন ঢোণ্ডা কাকে লৈয়া যায় সোন্দাকল।" "আন নৃপতিৰ মতে আমাক জোকাস।" "ধান গুড লৈয়া তুমি খেদি যাহাঁ তাক।" "স্বতন্ত্ৰ ৰুগীয়াক কি কৰে ঔষধি।" "যন্ত্ৰ পৰিহৰা তুমি বিপাক্ষে নমৰা।" "শুন অৰে কোনে তোক পাতিলে পাত্ৰ।" "ওলগতে পাঞ্চ কিল, সেহি পটণ্টৰ।" "জীয়োক ভৈয়াই মোৰ দান্তে খেৰ লওঁ।" "ৰুক্মিক দেখিয় যেন হলোপগুগোট।' "নিটালে পৰিলা আসি হামখুৰি খাই।" "পৰি আছে যেন দাঁত ভগা ঢোণ্ডা সাপ।" "খিয়ডণ্ডা দিয় কতো অঙ্গে ভঙ্গে নাচে।" "গমিতে নাপাৰি কিবা আছে নাই প্ৰাণ।" "সবে ভৈলোঁ নিমা-খিতী বাণ্ডী।" "ইকাতি সিকাতি কৰি চাহে বগৰাই।" "হেন দেখি মন্ত্ৰীগণে ৰান্ধে পেৰেজনি।' "ঘোৰাৰ সন্ধিৰ পৰা আসিল ওলাই।" "স্বৰূপে

কহিলোঁ যেন বুঝাই কৰা।" "ঔষধক দোখ যেন নমাইলেক ফেট।" "আধাৰি পকায়া সৰ্প বসিলেক শাৰী।" "বিপক্ষ ৰাজাৰ দেখি নাযায় নুপুৰাই।" শৰদৰ "খমদম নুগুনিয় মাত।" "সুৰাগতে মোৰ বাঢ়িল ৰুক্মিণী, ঘৰে কৰে নিতে ৰোষ।" "কোলায়ে বোকায়ে তুলিলোহো দুখে, সুখ দিয়া মোৰ আই।" ইত্যাদি।

যিসকল বঙালীয়ে অসমীয়া ভাষাক টানি আজুৰি বঙলা কৰিব খোজে, আৰু শঙ্কৰদেৱৰ পুথিৰ ভাষা হেনো তেওঁলোকে অসমীয়া নিশিকাকৈয়ে বুজিব পাৰে, তেওঁলোকে, ওপৰত দিয়া পদবোৰৰ সৰহ ভাগ আশা কৰো সৰ্‌সৰীয়াকৈ ভু পাব।

অষ্টম আধ্যা

অনাদি পাতন।— এই পুথি শ্ৰীমদ্ভাগৱতৰ তৃতীয় স্কন্ধৰ পৰা শঙ্কৰদেৱে সঙ্কলন কৰিছে। শ্ৰীযুত শিৱনাথ ভট্টাচাৰ্য্যৰ দ্বাৰাই প্ৰকাশিত "অনাদি পাতন"ত লেখা আছে যে চতুৰ্থ স্কন্ধৰ পৰা শঙ্কৰদেৱে এইটোৱা কৰিছে। ছপা হোৱা পুথিখনৰ গুৰিতে শঙ্কৰদেৱৰ পদতো আছে—"শুনা সাৱধান মনে যত সভাসদ। চতুৰ্থ স্কন্ধৰ মহাভাগৱত পদ॥ যেন মতে ভৈল ইটো অনাদি পাতন। শুনিয়োক আছে যাৰ মুকুতিত মন॥ শুকত পুছন্ত পৰীক্ষিত নৃপবৰ। শুনিলো তৃতীয় স্কন্ধ তোমাৰ মুখৰ॥" আমাৰ মনেৰে ওপৰৰ পদত "চতুৰ্থ স্কন্ধৰ" ঠাইত তৃতীয় স্কন্ধ আৰু "তৃতীয় স্কন্ধৰ' ঠাইত দ্বিতীয় স্কন্ধ হ'ব। হাতে লেখা পুথি নকল কৰোঁতে লেখকে এই ভুল কৰিছিল, আৰু সেই দৰেই ছপা হৈছে বোধ হয়। মূল ভাগৱতত তৃতীয় স্কন্ধত হে বিৰাট মূৰ্ত্তি-সৃষ্টি "মন্বন্তৰাদি কাল পৰিমাণ" "ব্ৰহ্ম সৃষ্টি বৰ্ণন" "সৃষ্টি প্ৰকৰণ" ইত্যাদি বিষয় আছে। সি যি হওক, শঙ্কৰদেৱে ভাগৱতৰ কথাৰে সৈতে বামন-পুৰাণৰ কথা মিহলাই অনাদি পাতন ৰচনা কৰিছে বুলি কৈছে—"মহা ভাগৱত পদ অমৃত সাক্ষাত। বামণ-পুৰাণ কিছু মিশ্ৰ দিলোঁ তাত॥" শঙ্কৰদেৱে ভাগৱতৰ সৃষ্টি প্ৰকৰণাদি কথাবোৰৰ পৰা বাছি বাছি সাৰ সংগ্ৰহ কৰি সংক্ষেপে এই পুথিখন এনেকৈ ৰচনা কৰিছে, যে ইয়াক অনুবাদ নুবুলি স্বকীয়া পুথি বোলা উচিত। বাস্তৱিকতে দুৰ্জ্ঞেয় দাৰ্শনিক তথ্যবোৰ সৰ্ব্বসাধাৰণে সহজে বুজিব পৰাকৈ এনে উজ্জ্বভাৱে তেওঁ "পদবন্ধে" ৰচনা কৰিছে যে দেখি আচৰিত মানিব লাগে। শঙ্কৰদেৱৰ ৰচনাৰ গুণেই এনে। তেওঁৰ প্ৰতিভাৰ স্পৰ্শমণিয়ে যিহকে চোৱে সিয়েই উজ্বল হৈ পৰে। মহাপ্ৰলয়ৰ শেষ ছোৱাত

"মহা প্ৰকৃতিয়ো পুৰুষত গৈল লীন। নাথাকিল আনো একো পুৰুষতো ভিন। নাহি জল নাহি স্থল নাহিকে আকাশ। নাহি মহা বায়ু চন্দ্ৰ সূৰ্য্যৰ প্ৰকাশ। নাহি শীত উষ্ণ ঋতু নাহি ৰাত্ৰি দিন। সমস্তে সংসাৰ গৈল ঈশ্বৰত লীন॥ প্ৰকৃতিৰো ঈশ্বৰ পুৰুষ স্বতন্ত্ৰ। নাহিকয় ব্ৰহ্মৰ বাহিৰ অভ্যন্তৰ॥ জগতৰ জীৱ উদৰতে দিয়া বাস। কেৱল ঈশ্বৰ কৃষ্ণ কৰন্ত প্ৰকাশ॥ অনাদি অনন্ত যিটো ব্ৰহ্ম নিৰঞ্জন। জ্ঞানময় আনন্দ ৰসত মগ্ন মন॥ নয়ন কমল মুদি যোগনিদ্ৰা ছলে। আপোনাকে চিন্তি মাত্ৰ আছন্তে কেৱলে॥"

মন, বুদ্ধি, চিত্ত, অহংকাৰ আদি,—"নানা কৰ্ম্ম কৰিবাক কৰে আলোচন। একো কাৰ্য্যে স্থিৰ নোহে তাক বুলি মন। সংকল্প বিকল্প ধৰ্ম্ম কৰে আলোচন। বুদ্ধি নাম বুলি তাক জানিবা লক্ষণ॥ সমস্তে কৰ্ম্মক মই কৰো বুলি মানে। অহংকাৰ বুলি তাক জানিবা আপোনে॥ নানা সদ কৰ্ম্মক কৰয় নিতে নিত। নিশ্চয়ে জানিবা ৰাজা তাৰ নাম চিত্ত॥ আৰু যে মনৰ কথা শুনিয়ো অপেক্ষি। কাছিলে নটক যেন ভিন্ন ৰূপ দেখি॥ মনৰ কল্পনা মানে সমস্ত সংসাৰ। জাগন স্বপন নিদ্ৰা তিনি বৃত্তি যাৰ॥ আছে মন সমস্ত প্ৰাণীৰ হৃদয়ত। ঈশ্বৰৰ প্ৰতিবিম্ব লাগিছে মনত॥ তাকে বুলি জীৱ মন এৰে ভিন্ন নুই। একপিণ্ড ভৈল যেৰে লোহা অগ্নি দুই॥ মনে দুখ পাইলে জীৱে বোলে মই পাওঁ। মনে যৈকে যাৱে জীৱে বোলে মই যাওঁ॥" মনে যিবা কৰে জীৱে বোলে মই কৰোঁ। মনৰ মৰণে জীৱে বোলে মই মৰোঁ॥ যেন সূৰ্য্য বিম্ব লৰে জলৰ লগত। জল স্থিৰ ভৈলে বিম্ব থাকে পূৰ্ব্বৱত॥ মনৰ কৰ্ম্মক যিটো মোৰ বুলি মানে। কৰ্ম্মপাশে বন্দী জীৱ এহিসে নিদানে॥ আত্মাৰ প্ৰসঙ্গে মন হৱে অচেতন। মনতে আছে ইটো চৈধ্যয় ভুবন। মনে পাপ মনে পুণ্য মনে সে নৰক।* মনেসে কৰিছে ভেদ আপোন পৰক॥ যতেক ইন্দ্ৰিয়গণ মনৰ অধীন। মনেৰেসে আজ্ঞা পালি থাকে ৰাত্ৰি দিন॥ মনে উপজয় জানা মনে সে মৰণ। মনুষ্যৰ মনে মোক্ষ বন্ধৰ কাৰণ॥ যত দেখা দেৱ ধৰ্ম্ম মনৰ প্ৰবন্ধ। তাৰে বন্দী থাকে জীৱে নেৰায় কৰ্ম্মবন্ধ॥"

জগৎসংহাৰক ৰুদ্ৰ ৰূপৰ কি ভীষণ চিত্ৰ— "যেৰে গৈল একশত বৰিষ ব্ৰহ্মাৰ। ৰুদ্ৰৰূপে কৰে হৰে জগত সংহাৰ॥ অধে উৰ্দ্ধে শৰীৰত নেদেখি প্ৰমাণ। ভ্ৰূকুটি কুটিল মুখ দেখি হৰে

---

* There is nothing either good or bad but thinking makes it so :"—Shakespeare.

প্ৰাণ। আউল জাউল জটাজূট হাতত ত্ৰিশূল। ঘোৰ মূৰ্ত্তি ধৰি কৰে প্ৰজাক নিৰ্ম্মূল॥ কিল কিল কৰি হাসে লৰে মুণ্ডমালী। পৰ্ব্বতৰ শৃঙ্গ যেন দন্ত দুইপালি॥ সহস্ৰ সহস্ৰ প্ৰজা মুখে ধৰি ডাঁটি। মৰমৰি মুণ্ড চোবাৱন্ত দান্তে আতি॥ জঙ্ঘাৰন্ত মাথা স্বৰ্গবাসী যাব দূৰ। চৰণৰ প্ৰহাৰে পৰ্ব্বত হোৱে চুৰ॥ ঘোৰ ৰিঙ্গ দিয়া দিগ্‌গজক খোঞ্চ মাৰি। ওপৰক তুলি নচুৱান্ত ত্ৰিপুৰাৰি॥ ৰুধিৰে দিগিধ দেহা কৰি ঘোৰ ধ্বনি। তিনি গোটা চক্ষু যেন জলন্ত অগনি॥ ত্যজে ঘোৰ আটাস নিৰ্ঘাত যেন পৰে। স্বৰ্গ মৰ্ত্ত্য পাতাল একত্ৰ হয়া লৰে॥ জগত সংহাৰে হৰে পৰম বিক্ৰম। অন্তকৰো অন্তক যমৰো মহা যম॥"

সাধাৰণত সদাশিৱৰ চিত্ৰ,—"স্ফটিকতো অধিক ধৱল কলেৱৰ॥ প্ৰকাশন্তে আছে পঞ্চ বদন সুন্দৰ। প্ৰতি মুখে ত্ৰিতয় লোচন ৰুচিকৰ॥ জলে সুবলিত মহাবাহু যে বাতুল। নানা অস্ত্ৰ আছে তাত ডম্বৰু ত্ৰিশূল॥ কটিত বাঘৰ ছাল গলে মুণ্ডমালা। ললাটত জটা আতি জলে চন্দ্ৰকলা॥ বিকট পিঙ্গল জটাজূট জলে মাথে। সৰ্ব্বাঙ্গত শোভে সৰ্প জগতৰ নাথে॥ ডুবু ডুবু ডম্বৰু বজাৱৈ সৰ্ব্বক্ষণ। হৃদয়ে ধিয়ান্ত সদশিৱে নিৰঞ্জন॥"

ব্ৰহ্মাৰ চিত্ৰপট—"ৰজোগুণে ব্ৰহ্মা ভৈলা যিটো সৃষ্টিকৰ। সুবৰ্ণ গৌৰাঙ্গ যেন জলে কলেৱৰ॥ উৰুত উত্তৰী নৱগুণে শোভে তাতে। কৰে কমণ্ডলু জাপ্যমালা আউৰ হাতে॥ হৃদয়ত ধিয়ান্ত ব্ৰহ্মক অবিচ্ছেদ। মুখে উচ্চাৰন্ত উচ্চ কৰি চাৰি বেদ॥ আছত গম্ভীৰভাৱে পাছে সৃষ্টি কৰে।"

বিষ্ণুৰ পট—"সত্ত্বগুণে ভৈলা বিষ্ণুৰূপে ৰুচিকৰ। নীল উতপল সম শ্যাম কলেৱৰ॥ শোভে পীত বস্ত্ৰ যেন মেঘত বিজুলী। চাৰি হস্তে চাৰি অস্ত্ৰ ধৰি আছে তুলি॥ ঈষত হসিত মুখ শ্যাম পদ্মকোষ। নয়ন-পঙ্কজ অতি দেখন্তে সন্তোষ॥ কিৰীটি কুণ্ডলে আতি কৰে জ্যাতিস্কাৰ। জলে হৃদয়ত মণিময় হেম হাৰ॥ অৰুণ অধৰ চাৰু দশনৰ শাৰী। কঙ্কন কেয়ূৰ ৰঙ্গে মহা ভুজ চাৰি॥ আপাদলম্বিত পঞ্চবৰ্ণ বনমালা। কটিতটে পঞ্চৰঙ্গে প্ৰকাশে মেখলা॥ পদপঙ্কজত জলে ৰত্নৰ নূপুৰ।........ যাৰ ক্ৰীড়াবস্তু ইটো তিনিয়ো জগত॥"

ব্ৰহ্মা বিষ্ণু শিৱ আৰু ত্ৰিজগতেৰে সৈতে এই ব্ৰহ্মাণ্ড সৃষ্টিকৰ্ত্তা, যাৰ প্ৰতি লোমকূপত একো একোটা ব্ৰহ্মাণ্ড, সেই জন আদিপুৰুষৰ চিত্ৰপট—"নীল মেঘ যেন, বিজুলী সঞ্চাৰ, শৰীৰত পীত বাস॥ মহা মনোহৰ, ব্ৰহ্ম কলেৱৰ, ভুবন মোহন বেশ। শিৰত ৰত্নৰ কিৰীটি অমূল্য, নীল আকুঞ্চিত কেশ॥ ৰত্নৰ তিলক, ললাটত শোভে, অলকা পঙ্কতি কান্তি। প্ৰফুল্ল পদ্মত, যেন পৰি আছে, উত্তম ভ্ৰমৰা পান্তি॥ ৰুচিকৰ কৰ্ণে, মকৰ কুণ্ডল, ৰঙ্গে কৰে জলমল। তাহাৰ জেউতি, প্ৰকাশিত অতি, সুশোভন গণ্ডস্থল॥ আছে মদনৰ, ধনুক নিন্দন্তে, প্ৰভুৰ ভ্ৰূৰ প্ৰকাশি। ঈষত হসিত, বদন নয়ন, অৰুণ পঙ্কজ পাসি॥ নাশা তিল-ফুল, অধৰ বাতুল, দন্ত মুকুতাৰ পান্তি। ৰুচিৰ চিবুক, কণ্ঠত কৌস্তুভ, নৱ আদিত্যৰ কান্তি॥ চাৰি মহা বাহু, ললিত বলিত, কৰতল কিশলয়। ৰত্নৰ কেয়ূৰ, কঙ্কন বলয়, শোভা কৰে অতিশয়॥ শঙ্খ চক্ৰ গদা পদ্ম চাৰিহাতে কৰি অতি জ্যাতিস্কাৰ। বহল হৃদয় তাতে ৰত্নময় মণি মুকুতাৰ হাৰ॥ বক্ষস্থলে শোভে শ্ৰীবৎস পঙ্কতি, কটিত বত্ন মেখলা। আপাদ লম্বিত সুবৰ্ণ পদ্মৰ গলে বৈজয়ন্তী মালা॥ কৰীকৰ সম উৰু নিৰুপম, শোভে পাট পীত ভূনি। অৰুণ চৰণে, ৰত্নৰ নূপুৰে ৰুণু জুনু কৰে ধ্বনি॥ প্ৰকাশে অঙ্গুলি, সুবলিত নীল, চম্পাৰ পাকৰি নয়। প্ৰতি আঙ্গুলিত ৰত্নৰ উজন্তি জলে নখ চন্দ্ৰচয়॥ আৰকত দুই পদপঙ্কজ দেখন্তে অমৃত ঝৰে। ধ্বজ বজ্ৰ যৱ অঙ্কুশ পঙ্কজ চিহ্ন সবে শোভা কৰে॥ প্ৰভুৰ পাৱৰ আগত যে জলে অৰুণ পঙ্কজ কোষ। যাৰ দৰশনে ভকতৰ মনে পৰম মিলে সন্তোষ॥"

দেহতত্ত্ব—"দেহৰ মহিমা আৰে শুনিয়ো বেকত। ব্ৰহ্মাণ্ডৰ গুণ মানে আছে শৰীৰত॥ সমস্তে চৌবিশ তত্ত্ব কৰিলা নিৰ্ম্মাণ। আপোনাৰ চৰাঙ্গুৰে অঙ্গুল প্ৰমাণ॥ পিঠিৰ মধ্যত মেৰু মণ্ডল প্ৰকাশ। উৰ্দ্ধে সূৰ্য্য অধে চন্দ্ৰ বায়ুৰ নিবাস॥ ষোল ষোল গোটা অস্থি পাঞ্জৰত তাৰ। অধে উৰ্দ্ধে আছে তাৰ নৱখান দ্বাৰ॥ দুই কাণ দুই নাক দুই চক্ষু লেখা। মুখে এৰ ওপাত সাতখান দেখা॥ অধে গুহ্য লিঙ্গ এই নৱখান দ্বাৰ। আৰু নাড়ী তাত বাত্তৰি হাজাৰ॥ তাহাতো সঞ্চাৰি ফুৰে প্ৰাণ বায়ু দশ। মাথা কেশ পৰ্য্যন্ত চলান্ত অন্নৰস। পৰম তৃপিতি হোৱে ইন্দ্ৰিয়সকল। বাঢ়ি যায় শৰীৰত অতি তেজবল॥ নাড়ীৰ মধ্যত তিনি নাড়ী অনুপম। সুষুম্না পিঙ্গলা ইড়া নাড়ী যাৰ নাম॥ সুষুম্না উত্তম অতি তিনিয়ো মধ্যত। যিটো ব্যাপি আছে গৈয়া সূৰ্য্যমণ্ডলত॥ ছয় স্থানে ছয় চক্ৰ আছে শৰীৰত। গুহ্য লিঙ্গ নাভি হৃদি তালু ললাটত॥ চাৰি দল ছয় দল নাভী দশ দল॥ আছে অষ্টাদশ পদ্ম হৃদয় কমল॥ তালুত ষোড়শ ললাটত দল দুই॥ যোগশাস্ত্ৰ মতে ছয় চক্ৰ এহি হই॥ আত্মা পৰমাত্মাৰূপে হৃদয় কমলে। শুভাশুভ জীৱক ভুঞ্জান্ত কৰ্ম ফলে॥......... অধে উৰ্দ্ধে সঞ্চৰিয়া ফুৰে স্থানে স্থান। পান অপান ব্যান সমান উদান॥ নাগ কূৰ্ম্ম কৃকত বায়ুত অনুপাম।

দেৱদত্ত ধনঞ্জয় এহি দশ নাম ॥ সুষুম্না আছয় মেৰু মজ্জাৰ ভিতৰে। যাত বায়ু পশিলে অমৰ হোৱে নৰে॥ তাহাৰ মুখত চাকি আছে কুণ্ডলিনী। মায়াৰ শকতি যেন দেখিয়া সৰ্পিণী॥' শঙ্কৰদেৱ যোগশাস্ত্ৰত কেনে পাৰদৰ্শী আছিল, আমি এই গ্ৰন্থৰ আগডোখৰত কৈ আহিছো। ওপৰৰ এই সংক্ষেপ বৰ্ণনাতো তাৰ প্ৰমাণ পোৱা যায়।

নৱম আধ্যা

বলিছলন। —শ্ৰীমদ্ভাগৱত অষ্টম স্কন্ধৰ অন্তৰ্গত। বলিছলন অষ্টম স্কন্ধৰ সাৰ বুলিব লাগে। শঙ্কৰদেৱেও কৈছে "অষ্টম স্কন্ধৰ সাৰ বলিক ছলন॥" শঙ্কৰদেৱে তেওঁৰ বলিছলন পুথিত ভাগৱতৰ কথাৰে বামন-পুৰাণৰ পৰা কিছু কথা আনি মিহলাই ৰচনা কৰিছে বুলি কৈছে,—"ভাগৱত কথা ইটো অমৃত সাক্ষাত। বামন পুৰাণ কিছু মিশ্ৰ দিলো তাত॥" শঙ্কৰদেৱৰ ৰচিত ভাগৱতৰ আনবোৰ স্কন্ধৰ ৰচনা আদিৰ সম্পৰ্কে যি কোৱা গৈছে, এই পুথিৰ সম্পৰ্কেও সেই কথাই খাটে। এই পুথিৰ পৰা আমি দুই চাৰি ডোখৰ ইয়াত তুলি দিওঁ,—বলিৰ ভয়াত ইন্দ্ৰাদি দেৱতাসকল পলাই বিজু-বনত আছিলগৈ। তাতো তেওঁলোক কেনে ভয়ভীত হৈ আছিল, সেই বৰ্ণনা চোঁৱা—"আলোচি পশিলা গৈয়া বিজুবন মাজে॥ কণ্টক শঙ্কটে আৰে বেৰু বেতময়। হেন অৰণ্যত থাকি নুগুচয় ভয়॥ আত জানো পায় আসি দানৱ অশিষ্ট। একো খানে নুলুকায় দেৱতাৰ পিঠি॥ আচম্বিতে যদিবা দেখয় মৃটা গছ। দৈত্য বুলি পলাৱে নচাহে আগ পাছ॥ পক্ষী যেবে উবয় তাহাতে প্ৰাণ হবৈ। সপোনতো সুখ নাহি দৈত্য আসি ধৰৈ॥ নামাতন্ত ডৰে কথা কহে ঠাৱে ঠাৱে। ৰাত্ৰি ভৈলে বজাই ফুৰন্ত যেন চোৰে॥ হন্ত ব্ৰহ্মচাৰী কতো সন্ন্যাসী তপসী। ভিক্ষা মাগি ফুৰন্ত নগৰ গ্ৰাম পশি॥ তৈতো সুখ নেদেখন্ত নাথাকন্ত থিৰে। কোন ভুমি বোলন্তে লৰৰ দেই ভিৰে॥ চোৰ চোৰ বুলি নগৰীয়া পাৰৈ গেৰি। পলাই ত্ৰিদশে ঝলি বোঁকণ্ডিক এৰি॥ হৰি হৰি আৰে পলাইবাৰ পুৰী নাই। খাবতো নাথয় যেন দেৱৰ বিলায়॥ মাসেকতো কাৰো অন্ন এৰে নাহি ভেঁট। শুখাই গৈল শৰীৰ অন্তত লাগে পেট॥ জঙ্ঘা মাত্ৰ আছে কথমপি জীৱৈ প্ৰাণ। দিনগোট যায় এক যুগৰ সমান॥ ধূলি ধূসৰিত তনু প্ৰেতৰ আকাৰ। কহন নযায় আৰ দেৱৰ বিকাৰ॥"

পুতেকহঁতৰ দুখৰ কথা শুনি অদিতিয়ে বিলাপ কৰিছে—"পুত্ৰশোকে ৰামক দেখন্ত দেৱ মাৱ। কৰন্ত ক্ৰন্দন দেৱী অতি দীৰ্ঘ ৰাৱ॥ হাঁ পুত্ৰগণ ভৈল হেনসে অৱস্থা। প্ৰাণ ফুটে তোমাসাৰ শুনি দুঃখ কথা॥ উপজিলি পুতাই এহি নিকাৰক লাগি। কতনো ফুৰিবি পৃথিবীত ভিক্ষা মাগি॥ মই পাপিনীৰ কিনো অভাগ্য কপাল। ত্ৰিদশ দেৱৰ আৰ নেদেখিলোঁ ভাল॥ দশ দিগপাল একেবাৰে অস্ত গৈল। তবে দিতি সতিনীৰ মন ৰঙ্গ ভৈল॥ হৰি হৰি ইন্দ্ৰ হাৰিয়াসৰ পুতাই। কোন বিধি তোৰ হেন কৰিল বিলাই॥ যাৰ নিদ্ৰা নাসে তুলী সুবৰ্ণ খাটত। কেনে নিদ্ৰা আসে আৰে কেৱলে মটিত॥ অসংখ্যাত অপসৰীগণে ধৰে আলে।........ আগ্ৰৱতী ৰঙ্গি ৰসি থাকা সিংহা-সনে। আৰে লগ ভৈল অৰণ্যৰ পশুগণে॥ যাহাৰ মুখত আতি অমৃত নুৰুচে। আৰে ফল মূলে কেন-মতে ক্ষুধা গুচে॥ ভিক্ষা মাগি ফুৰা আৰে তপসীৰ বেশে।..... কতনো লিখিলে বিধি তোহোৰ ললাটে॥ কত আৰ বিপত্তি সহিব শচী আই। জানিছো দুখতে তোৰ দণ্ডে যুগ যাই॥ সৰ্ব্ব সৌভা-গিণী বাসৱৰ পটেশ্বৰী। পুতাইৰ লগতে তয়ো ভৈলি দেশান্তৰী॥ যাৰ নেত তুলীত ফুৰন্ত দখায় ভৰি। আৰে ঘোৰ বনত ফুৰস কেন কৰি॥ ....তোমাৰ এতেক দুখ দেখি কেনে জীওঁ। হেন মনে কৰো কালকূট বিষ পিওঁ॥"

অদিতিয়ে নিজৰ স্বামী কশ্যপক পুতেকহঁতৰ দুখৰ কথা কৈ কান্দি উপায় সোধাত কশ্যপ উভয় শঙ্কটত পৰিল; কাৰণ দেৱতাসকলো তেওঁৰ সন্তান অসুৰবিলাকো তেওঁৰ সন্তান। "হেন শুনি মহা ঋষি, মাতিলন্ত খিনবিষি, কিনো বিষ্ণু মায়াৰ প্ৰভাৱ। কৈৰ দেহা কৈৰ জীৱ, কৈত পাইলা পুত্ৰ জীৱ, কাক কোনে খোলে বাপ মাৱ॥ সংসাৰ সকলো মিছা, তথাপি তাহাত ইচ্ছা, মোহে মতি বান্ধি আছে টান। কোন বুদ্ধি কৰো আৰে, দেৱ দৈত্য যত সবে, হয়া আছে মোহোৰ সন্তান॥ একদিকে হস্তী খাই, আৰ দিকে মাল খাই, আৰে মই হওঁ কোন ভিতি।"

বটুৰে যেতিয়া বলিক তিনি পদৰ জোখাৰ ভূমি দান খুজিলে বলিয়ে তেওঁৰ অকিঞ্চিৎকৰ ভিক্ষা দেখি তেওঁক তেতিয়া ক'লে—"যেন ভাগ্যৰহিত দৰিদ্ৰ কোন জন। কুবেৰক পায়া সিটো খোজে খুদকণ॥ বহ্নদীপো পায়া যেন পাইলেক বিবুদ্ধি। মালিক নাৱত তোলে বস্তুক নুসুধি॥" তেতিয়া বটুৱে বলিক কেনে সুন্দৰ উত্তৰ দিলে—"তিনিয়ো লোকত যত আছে ধান্য ধন। যত দিব্য নাৰী আছে সুন্দৰী প্ৰধান॥ যত দিব্য বৰ ৰাৰী ৰত্ন অলঙ্কাৰ। সবেও নুপুৰে মন এক ভুঞিয়াৰ॥ পৃথু গয় আদি কৰি ৰস অপৰ্য্যন্ত। অৰ্থৰ তৃষ্ণাৰ কেহো নপাই অন্ত॥ সপ্তদ্বীপা পৃথিৱী কৰিলা অধিকাৰ। তথাপি তৃষ্ণাৰ কেহো নাপাইলেক পাৰ॥ ইন্দ্ৰিয়ক দমি যিটো

নকৰে আক্ৰোশ। সি সি মহা সুখী যিটো অল্পতে সন্তোষ ॥ অসন্তুষ্ট প্ৰাণীৰ নখণ্ডে মন দুখ। ত্ৰৈলোক্যৰ লক্ষ্মী পাইলে নাহি তাৰ সুখ ॥ যেহি পাৱে তাতে মহা তুষ্ট হোৱে মন। তেবেসে বিপ্ৰৰ তেজ বাঢ়ে অনুক্ষণ ॥ অসন্তোষে সমস্তে তেজক কৰে ঠায়। যেন জল পৰি অগ্নি নিৰ্ব্বানক পায় ॥"

কেনে দান কৰা উচিত এই বিষয়ে শুক্ৰই বলিক উপদেশ দিছে—"যিটো দান কৰন্তে বৃত্তিৰ হোৱে ছেদ। কিছু পুণ্য নাহি মিছা মন্ত্ৰ পাৱে খেদ ॥ জীৱিকা থাকিলে পাই সবে কৰ্ম্ম। প্ৰতি দিনে সিজে দান তপ যজ্ঞ ধৰ্ম্ম ॥ শুনিয়োক বলি যেন শাস্ত্ৰৰ বিহিত। পঞ্চ ভাগ কৰি বিভাগিবে নিজ বিত্ত ॥ ধৰ্ম্ম অৰ্থ কাম যশ পুত্ৰৰ নিদানে। তেবেসে থাকিবে পাই সুখে সৰ্ব্ব স্থানে ॥"

কেতিয়া মিছা মাতিলে পাপ নহয় এই বিষয়ে দৈত্যগুৰু শুক্ৰৰ উপদেশ হৈছে—"স্বৰতি বিবাহ প্ৰাণ শঙ্কটৰ ত্ৰাসে। গো ব্ৰাহ্মণৰ অৰ্থে সৰ্ব্বস্ব বিনাশে। এতেকতে মিছা মাতিলেও নাহি পাপ,...কপটীক কপট কৰিলে নাহি হানি ॥ তই যেবে জীৱ লাগে উপায় হেন গুণ। আত্মাবাত নকৰ মোহোৰ বুদ্ধি শুন ॥"

গুৰুৰ এই উপদেশ বলিয়ে নুশুনিলে ; আৰু নুশুনি তেওঁ তৰ্জ্জন জোখেৰে সত্যৰ মান ৰাখি কেনে উত্তৰ দিলে চোৱা—"কিন্তু দান দিবোঁ বুলি, তিল কুশ লৈলোঁ হাত তুলি, সভাত কৰিলোঁ অঙ্গীকাৰ। বিত্তৰ লোভত থাকি, বিমুখে পঠাইবোঁ ডাকি, ব্ৰাহ্মণক কোন ব্যৱহাৰ ॥ মই প্ৰহলাদৰ নাতি, হয়া জীবোঁ মিছা মাতি, তেবেতো উচিত হবে মোৰ। অনাইবো বংশৰ নাম, কৰি গৰিহিত কাম, টেটন ভুৱাৰ যেন চোৰ ॥ অসত্যত পৰে পাপ, নাহি নাহি জানা বাপ, আপুনি কহিলা বসুমতী। সবাকো সহিবে পাৰোঁ, অসত্যবাদীত হাৰোঁ, তাৰ ভৰে যাওঁ অধোগতি ॥ নৰকত হোক বাস, মৃত্যুকো নকৰোঁ ত্ৰাস, ৰাজ্য শ্ৰী সবে হৌক নষ্ট। ইসে মোৰ হৃদি খেদ, যেন দেখি আশা ছেদ, ব্ৰাহ্মণৰ হয় মনকষ্ট ॥" কি সুন্দৰ তেজস্বী বচন। কি অমূল্য সত্য ;

এই পুথিৰ ভণিতাত আমাৰ শঙ্কৰদেৱে উপদেশ দিছে—"হেন জানি নৰলোক, পৰ হিংসা এৰিয়োক, অবিলম্বে আপোনাতে পায় ॥ যত দেখা ভূতপ্ৰাণী, সবে বিষ্ণু হেন জানি, হিংসা এৰি কৰা উপকাৰ ॥" কি উদাৰ জ্ঞানোপদেশ।

বামনে তিনি পদ ভূমি দান লৈ দুপদ থবলৈ ঠাই পাই, তৃতীয় পদলৈ ঠাই নাপাই বলিক নাগ-পাশেৰে বন্ধাই কদৰ্থনা কৰিলে—"আগে দিবো বুলি যিটো পাছে নেদে দান। দুৰ্যোৰ ৰৌৰৱ নৰকত হোৱে স্থান ॥........আগে দিবো বুলি কেনে কৈলি অঙ্গীকাৰ ॥ অসত্যবাদীৰ তোৰ জীৱন নিষ্ফল।" ইয়াৰ উত্তৰত বলিৰ কি অতি ওখ থাপৰ তেজী উত্তৰ :—"ত্ৰৈলোকৰ লক্ষ্মী প্ৰভু কাঢ়ি লৈলা ছলে। গৰুড়ৰ হাতে পুনু বন্ধাই আছাৰলে ॥ নগণোহোঁ ইসব দুখক গাৱে সহে। বুলিলা অসত্যবাদী ইসে দেহা দহে ॥"

বামনৰ তৃতীয় পদ থবলৈ ঠাই নাই দেখি বলিয়ে ক'লে—'মাথাপাতি দেও হেৰা নাথ নাৰায়ণ ॥ থোৱা পাৱ শিৰত সাঁফলোঁ অঙ্গীকাৰ ॥......ভাল ভৈল গুচিল বিষয় মহাবিষ। নিঃকিঞ্চন ভৈলোঁ তাত অধিকে হৰিষ ॥ শ্ৰীদূৰ কৰি কিনো কৰিলা আহ্লাদ। বান্ধ নোহে ইটো মোৰ পৰম প্ৰসাদ......যতেক বুলিলা মোৰ নলৰে মতিক। তোমাৰ ক্ৰোধক দেখোঁ বৰতো অধিক ॥......যদ্যপি অজ্ঞানী মই নাজানো ভকতি। তথাপি তোমাৰ প্ৰভু ভৃত্যৰ সন্ততি ॥" ধন্য বলি। ধন্য তোমাৰ চৰিত্ৰ।

ককাক প্ৰহলাদে বলিৰ দুৰ্গতি দেখি "মহামৰ্ম্মে চক্ষুৰ পৰিবে খোজে পানী। জ্ঞান-ধৈৰ্য্য-অঙ্কুশে ধৰন্ত চিত্ত টানি ॥ বলিক নুবুলি কিছু বচন আশ্বাস। ধীৰে ধীৰে চলিলন্ত মাধৱৰ পাশ......প্ৰভুক প্ৰত্যক্ষ দেখি বৈষ্ণৱ প্ৰহ্লাদ। শিহৰিল লোম সব শৰীৰ আহ্লাদ ॥ নয়নৰ পৰা পৰে হৰিষে লোতক। দণ্ডৱতে পৰি প্ৰণামিলা মাধৱক ॥......তুমি দিলা বলিক ত্ৰৈলোক ৰাজ্যভাৰ। তুমি কাঢ়ি লৈল আত হৰিষ আমাৰ ॥ গৰ্ব্ব গুচাই বলিক কৰিলা বৰ দয়া। আতি অন্ধ কৰে পুৰুষক শ্ৰী মায়া ॥ শ্ৰী যাক পাইলে সিটো জীৱন্ততে মৰা। মাতন্তে নামাতে যেন আতুৰ নপৰা ॥ শুনিয়ো নুশুনে যেন বসি থাকে কলা। দেখিয়ো নেদেখে যেন দিনতে অন্ধলা ॥ কোননো অৱস্থা নকৰয় শ্ৰী মদে। শ্ৰী পাইলে পাৱে তাক পৰম আপদে ॥ তুমি হেন স্বামীক পাশৰে হতবুদ্ধি। আজি বলি পাইলে ভৱ ব্যাধিৰ ঔষধি ॥" ই বলিৰ ককাকৰ নিচিনা কথাই।

বলিৰ মৈণীয়েক বিন্ধাৱলীও বলিৰ উপযুক্ত স্ত্ৰী। তেওঁ বামনৰ আগত স্বামীৰ হকে কাকুতি কৰিছে—"মোৰ স্বামী দৈত্যপতি, দেখা কেন মূঢ়মতি, ইহান্ত নাহিক একো জ্ঞান। বৈষ্ণৱৰ নাতি হই, বোলে ইটো কোন মুই, বিষ্ণুক ত্ৰৈলোক্য কৰোঁ দান ॥ তুমিসে জগত ভৰ্ত্তা, এহেন্তে দিবাৰ কৰ্ত্তা, আন বাপ মৰৰ ত্ৰৈলোক্য। আন ইটো অহঙ্কাৰে, যেন মাথা ক্ষুৰ ধাৰে, অতিশয় পীড়া কৰে মোক ॥ ......আজ মহামূৰ্খ জানি, কৃপা কৰা চক্ৰপাণি,

সহস্ৰেক বাৰ কৰোঁ সেৱা ।......অনেক কাৰ্পুণ্য কৰোঁ, দান্তে তৃণ তুলি ধৰোঁ, আৰে মোৰ মেলিয়ো স্বামীক । বান্ধৰ চোটত প্ৰান, হেৰোঁ ফুটি যায় প্ৰাণ, দেখি মই দাসী জীওঁ কিক ।।......তভো যদি আছে কোপ, আঙ্ক এৰি বান্ধা মোক, মই মৰোঁ প্ৰভুৰ পালটি ।" ধন্য বিন্ধাৱলী ।

বলিক বামনে বান্ধ মেলাই দি যেতিয়া সভা পাতি বহিল, তেতিয়া তেওঁ কিয় বলিক ইমান নিগ্ৰহ কৰিছিল, তাৰ কাৰণ ক'বলৈ ধৰিলে ।—"মোৰ মহা অনুগ্ৰহ ভৈল যাক প্ৰতি । সিজনৰ হৰোঁ মই ঐশ্বৰ্য্য সম্পত্তি ।। পৰম প্ৰমত্ত হোৱে ধনৰ গৰ্বত । লোককো নামানে, মোক নলৱে মনত ।......কিনো সত্যবাদী বলি দেখিও প্ৰত্যক্ষ । দৈত্যৰ মধ্যত ইটো মহা পুৰুষেক ।। সবাতো অধিক আতি স্নেহ মোৰ আক । জিনিলেক বলি মোৰ দুৰ্জ্জয় মাযাক ।। ত্ৰৈলোক্য কাটিলোঁ ছলে লৈলোঁ ধন বিত । হাতে গলে বান্ধি দুখ দিলোঁ বিপৰীত ।। একেশ্বৰ ভৈল সবে জ্ঞাতিয়ে এৰিল । শুক্ৰৰ বাক্যত ইটো সত্যক নেৰিল ।। শত্ৰুৰ হাতত পৰি নিশঙ্ক হৃদয় । অনেক ভৰ্ৎসিলোঁ দৰশাইলোঁ মহাভয় ।। ছল বাদে নিন্দিয়া জানিলোঁ মহানৰ্ম্ম । তথাপিতো বলি নেৰিলন্ত সত্যধৰ্ম্ম ।। ......তোহোৰ ভকতি মোক কৰিলে অধীন । মোকো যেবে দিওঁ তভো শুজা নাযায় ঋণ ।। যাবতে থাকিবো তোৰ কৰে ধৰি গদা ।।.....তোৰ মোৰ এৰা এৰি নাহি আজি ধৰি ।" বলিক আকৌ ইন্দ্ৰ হবি বুলি বামনে ক'লত বলিয়ে বামনক কৈছে—"দুনাই ইন্দ্ৰ হইবি হেন বুলিলা বচন । ইহাতেসে অতি উদবিগ্ন কৰে মন । ইটো শ্ৰী মদে অন্ধ কৰিলেক মন ।।......হেন ছাৰ ইন্দ্ৰৰ পদত নাহি মতি । ইন্দ্ৰ ভৈলে পাশৰিবোঁ তোমাত ভকতি ।।......নুবুজিলোঁ প্ৰভুদেৱ ইটো কোন বুদ্ধা । বান্ধ গুচাই দুনাই যেন দিবে খোজা কুন্দা ।।....মাগি খাই চিন্তিবোঁহোঁ তোমাৰ চৰণ ।। কানি কথা উৰিয়া তোমাৰ লৈবোঁ নাম । আউৰ ইন্দ্ৰ পদতো মোহোৰ নাহি কাম ।।"

এই কথা শুনি বামনৰূপী বিষ্ণুৱে ক'লে—"কি কৰিবে আউৰ তোক ইন্দ্ৰ পদ পাই ।। মোৰ চৰণত ভৈল অতি দৃঢ়মতি । স্বৰ্গভোগ ভুঞ্জোতেও লভিবি মুকুতি ।। যিটো পুণ্য কৰি আছ ভুঞ্জিলেসে ক্ষয় ।......কৈত শুনি আছ ভকতৰ ভয় আছে । কৰে গদা ধৰি ৰাখি ফুৰোঁ পাছে পাছে ।। একো কালে নেৰে যেন শৰীৰক ছাঁয়া ।"

কীৰ্ত্তনঘোষাত যি ছোৱা বলিছলন দিয়া হৈছে, সি এই বলিছলনৰ পুথিৰ শেহৰ পাঁচ আখ্যা ।।

দশম অধ্যায়

ৰত্নাকৰ ।—শঙ্কৰদেৱে পুৰাণ ভাগৱত আদি শাস্ত্ৰৰ পৰা বাছি বাছি সাৰ শ্লোকবোৰ উদ্ধাৰ কৰি এই ৰত্নাকৰ নামে শাস্ত্ৰ কৰিছিল । "অনন্তৰে দেৱ মাধৱে বোলন্ত ৰত্নাকৰ গ্ৰন্থখান । পুৰাণৰ শ্লোক তুলি কৰিলন্ত শঙ্কৰদেৱে নিৰ্ম্মাণ"—(দৈত্যাৰি) কিন্তু সি সংস্কৃত ৰত্নাৱলী গ্ৰন্থ পোৱাৰ আগেয়েই । পিছত তেওঁ ৰত্নাৱলী পাই কৈছিল, যে ৰত্নাৱলীখন যদি আগেয়ে পালোঁহেতেন তেন্তে ইমান পৰিশ্ৰম কৰি ৰত্নাকৰ নকৰিলোঁহেতেন ।

হৰিশ্চন্দ্ৰ উপাখ্যান ।—পুথিখন শঙ্কৰদেৱে প্ৰথমতে কৰিছিল । সম্ভৱতঃ ই তেওঁৰ কীৰ্ত্তনঘোষা পুথিৰো আগেয়ে ৰচিত । এই পুথিৰ বিষয়ে এটা কথা গুৰুচৰিত্ৰ পুথিত আছে ;—শঙ্কৰদেৱ পাট-বাউসীত থাকোঁতে, গোপাল নামে তেওঁৰ ভকত এজনে সদায় হৰিশ্চন্দ্ৰ উপাখ্যান পুথিৰ পদ গাই চাউল মাগি ফুৰে । মানুহে সেই পদ শুনি সন্তোষ পাই গোপালক সৰহকৈ ভিক্ষা দিয়ে আৰু আনবোৰ ভকতে সিমান ভিক্ষা নাপায় । এনে দেখি শঙ্কৰদেৱে এদিন গোপালক তাৰ কাৰণ সোধাত গোপালে ক'লে যে হৰিশ্চন্দ্ৰৰ পদ গাই শুনাই ভিক্ষা মাগিলে মানুহে সন্তোষ পাই তেওঁক সৰহকৈ ভিক্ষা দিয়ে । শঙ্কৰদেৱে এই কথা শুনি আক্ষেপ কৰি কৈছিল "ভকতিৰ চাবি খুটি মাৰি প্ৰথমে কৰা শাস্ত্ৰখানি ভিক্ষুক হ'ল !"

গুণমালা ।—বাৰ স্কন্ধ ভাগৱতৰ সাৰ অতি সংক্ষেপকৈ শঙ্কৰদেৱে এই গুণমালা পুথিখন ৰচনা কৰিছে । মানুহে খাওঁতে শোওঁতে উঠোঁতে বহোঁতেও কৃষ্ণগুণৰাশি গাব পৰা কৰি এই মালাধাৰি শঙ্কৰদেৱে গাঁথিছে । গুণমালা বাৰ স্কন্ধ ভাগৱতৰ "পকেট এডিচন" অৰ্থাৎ চোলাৰ মোনাত লৈ ফুৰিব পৰা তাঙৰণ । "নন্দ যশোদাৰ, গৃহত আপাৰ । কৰিলা বিহাৰ, জগত আধাৰ ।। অনেক যন্ত্ৰণা, কৰিলা মন্ত্ৰণা । আসিল পুতনা, শুষিলা চেতনা ।। পৰম সঙ্কট, দধি দুগ্ধ ঘট । সহিতে শকত, কৰিলা ওলট ।। দৈত্য চক্ৰবাত, ভৈল কষ্ট পাত । কৃষ্ণৰ লীলাত, পৰিয়া শিলাত ।। জগতৰ স্বামী, প্ৰভু অন্তৰ্যামী । মাতৃ কোলগামী, তুলিলন্ত হামি ।। জগত নিখিল, গৰ্ভত দেখিল । বিস্ময় মিলিল, যশোদা ভবিল ।। ......পাছে ব্ৰজপুৰে, ৰঙ্গে ৰবি ফুৰে । সোণাৰ নুপুৰে, ৰুণজুন কৰে ।। অগণি সৰ্পক, বাম্ভ ধৰিবাক । দেখি দেন্ত হাক, নুগুনন্ত তাক ।। গোপীকাৰ ঘাৰে, পশি দাবোদৰে । অপকাৰ কৰে দেখি নিৰন্তৰে ।। গোপীগণ আসি, যশোদাত হাঁসি । কৃষ্ণ চেষ্টা ৰাশি, কহন্ত প্ৰকাশি ।। দেখিলে

গোৱালী, শিশু বনমালী। নানা চতুৰালি, কৰন্ত ধূৰ্ত্তালি ।। কি কহিবোঁ আই, কৃষ্ণৰ অপায়। নোদোহন্তে গাই, বৎসক পিয়ায় ।।......শুনি হেন বাণী, লাজে চক্রপাণি। নেত্রে বহে পানী, দেখি নন্দৰাণী ।। স্নেহ উপজিল, সাবটি ধৰিল। আশ্বাস কৰিল মুখে স্তন দিল ।।"......"মুচকুন্দ ৰায়, শুতিয়া তথায়। আছে নিদ্রা যায়, তাঙ্ক নৈয়া পায় ।। মাৰিল চৰণে, জাগিল তেখনে। চাহিল নয়নে, মৰিল যৱনে।" ইত্যাদি এনে সংক্ষিপ্ত অতুলনীয় বৰ্ণনাৰে এই গুণমালা ৰচিত। গুণমালা পুথি ৰচনাৰ বিষয়ে গুৰুচৰিত্রত আছে,—এদিন নৰনাৰায়ণ ৰজা পণ্ডিতসকলেৰে সৈতে সভা পাতি বহি আছে ; শঙ্কৰদেৱো তাতে আছিল। এনেতে ৰজাই পণ্ডিত মণ্ডলীক সুধিলে "বাৰস্কন্ধ ভাগৱত শাস্ত্র, যহি ভাত বাজোতে গাব পৰাকৈ আপোনাসকলে ৰচনা কৰি দিব পাৰে নে ?" পণ্ডিতসকলে উত্তৰ দিলে,— "মহাৰাজে যদি হাতী এটা মাৰি ভুক্কাত ভৰাই দিব পাৰে, আমিও এই কাম কৰিব পাৰিম।" শঙ্কৰদেৱে গুণমালা পুথিৰ ৫ আধ্যা আগেয়ে ৰচনা কৰি ৰাখিছিল ; তেওঁ এই কথা শুনি মহালৈ উভতি আহি প্ৰথম আধ্যা ৰচনা কৰি পুথিখনৰ পিঠিৰ পিনে হাতী এটাৰ আকৃতি এটা আঁকি পুথিখন ভুক্কা এটাত ভৰাই ৰজাক দিলে। ৰজাই এই কাৰ্য্যত সন্তোষ পাই শঙ্কৰদেৱক আসন দি বহুৱাই সন্মান কৰি সকলোৰে ওপৰত ধৰ্ম্মৰ ৰজা পাতিলে।

শঙ্কৰদেৱে চুৰ্ণপোৱাত সত্র কৰি থাকোতে নাৰায়ণ দাসক (ঠাকুৰ আতা) শৰণ দি গুণমালা শাস্ত্র দিছিল। অৱশ্যে সেই গুণমালাত, পিছত নৰনাৰায়ণ ৰজাক দিবলৈ ৰচিত হোৱা প্ৰথম আধ্যা নাছিল।

শঙ্কৰদেৱে বৰদোৱা এৰি ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে পিজৰিত এৰাতি থাকি তাৰ পিছত গাংমৌত সত্র পাতি থাকোঁতে, পিজৰি নিবাসী আৰু তাৰ পিছত বিশ্বনাথ দেৱালয়ত দেৱীপূজা কৰি থকা সত্যানন্দ বা দেৱীদাস নামে কায়স্থ এজনক শিষ্য কৰি গুণমালা পুথি দিছিল। ইয়াৰ দ্বাৰাই বুজিব পৰা যায় যে তেওঁ বৰদোৱাত থাকোঁতেই গুণমালা পুথি ৰচনা কৰিছিল। অৱশ্যে সেই প্ৰথম আধ্যাত বাজে।

শঙ্কৰদেৱে পাটবাউসীত থাকোঁতেই বাৰ আতাৰ প্ৰাৰ্থনা মতে কালীদমন, পত্নীপ্ৰসাদ, ৰাস, ৰুক্মিণী-হৰণ, পাৰিজাত হৰণ আৰু কংসবধ নাট ৰচনা কৰি ভাৱনা কৰি সকলোকে দেখুৱাইছিল। আৰু তাতে শঙ্কৰদেৱৰ আজ্ঞামতে মাধৱদেৱে দধিমথন, বাসজুৰুৱা, পিপৰা-গুচুৱা, চোৰ ধৰা, ভূমি লোটিৱা, ভূষণ হেৰুৱা, কোটোৰা খেলা আৰু ভোজন ব্যৱহাৰ নাট ৰচনা কৰিছিল। দধিমথন নাটৰ ভাৱনাত শঙ্কৰদেৱে নন্দৰ, আৰু মাধৱদেৱে উপনন্দৰ ভাও দিছিল।

নৰনাৰায়ণ ৰজাৰ আজ্ঞামতে শঙ্কৰদেৱে তাঁতীকুছিত কাপোৰৰ কাৰখানা পাতি মাধৱদেৱেৰে সৈতে পাটবাউসীলৈ আহোঁতে বাটত ভাট এটাই গীত গোৱা শুনি মাধৱদেৱকো তেনে এটা গীত ৰচনা কৰি গাবলৈ কোৱাত, গুৰুৰ আজ্ঞা মতে মাধৱদেৱে বাটতে, "প্ৰাতঃ সময়ে, যশোৱা জননী, মুখ চুম্বিত শ্যাম জগাৱন কু। উঠ মেৰি লাল, মদন গোপাল, আৰে তেৰি গোৱাল বলাৱন কু ।।" এই ভটিমাটো ৰচনা কৰিছিল।

এদিন শঙ্কৰদেৱে মাধৱদেৱ, ঠাকুৰ আতা, আৰু জয়ন্তা মাধৱেৰে সৈতে বাটত যাওঁতে তেওঁলোকক ক'লে যে তিনিওজনে তিনিটি ভটিমা ৰচনা কৰি গাব লাগে। এই কথা শুনি জয়ন্তামাধৱে ৰচনা কৰি গালে—'বাই দে নাৱৰ বাচক শ্ৰীশঙ্কৰ ঘাটে। বাব নোৱাৰেঁ। নাৱৰ বাচক বঠা লাইকিয়া হাতে ।।" ঠাকুৰ আতাই ৰচনা কৰি গালে—"জয় জয় শ্ৰীমন্ত শঙ্কৰ, মই তুৱা দাসৰো দাস। উজানৰ হন্তে আসি প্ৰাণনাথ নিকটে কৰিলোঁ বাস ।।" মাধৱদেৱে ৰচনা কৰি গালে—"জয় গুৰু শঙ্কৰ, সৰ্ব্বগুণাকৰ, যাকেৰি নাহি উপাম।" —ইত্যাদি।

চিলাৰায় দেৱানে শঙ্কৰদেৱ কোচবেহাৰত থাকোঁতে তেওঁক "জন্মৰহস্য" শাস্ত্র ৰচনা কৰিবলৈ অনুৰোধ কৰাত, শঙ্কৰদেৱে পাটবাউসীলৈ আহি মাধৱদেৱৰ হতুৱাই সেই পুথি ৰচনা কৰাই দেৱানলৈ পঠিয়াই দিয়াত দেৱানে পুথি পাই বৰ সন্তোষ পাইছিল।

শঙ্কৰদেৱে শেষবাৰ নৰনাৰায়ণ ৰজাৰ আজ্ঞা মতে কোচবেহাৰলৈ যাবৰ সময়ত আন আন কথাৰ লগত মাধৱদেৱক কৈছিল—"কীৰ্ত্তনঘোষা শাস্ত্ৰখন সংগ্ৰহ কৰিবা। ঘোষাত (হাজাৰী আৰু নামঘোষা) দুলৰি, জুনা, ছবি, ঝুমুৰি, লেচাৰি ছন্দ দিবা। নমস্কাৰ, শৰণ, ভজন, নিন্দা, স্তুতি, উপদেশ, প্ৰাৰ্থনা, কাকুতি, খেদ, প্ৰশংসা, মহিমা, কাৰুণ্য, এইবোৰ যোগ কৰিবা আৰু ঘোষাৰ শেষত ঈশ্বৰৰ নাম-গুণ লগাবা।" আৰি ওপৰত কৈ আহিছোঁ যে মাধৱদেৱ বেহাৰলৈ গুচি যোৱা বাবে কীৰ্ত্তনঘোষা শাস্ত্ৰ তেওঁ নিজে গোটাব নোৱাৰিলে, সেই কাম তেওঁৰ ভাগিন ৰামচৰণে কৰিলে। আৰু ঘোষাত শঙ্কৰদেৱে কোৱা মতেই যে সকলো দিয়া হ'ল, ঘোষা পঢ়িলেই সেইটো বুজিব পাৰি।

শঙ্কৰদেৱক নৰনাৰায়ণ ৰজাই ধৰি লৈ যাবলৈ পঠিওৱাৰ পিছত যেতিয়া প্ৰথমতে শঙ্কৰদেৱ ৰজাৰ আগত উপস্থিত হয়, তেতিয়া তেওঁ "মধুদানৱ দাৰণ দেৱ ৱৰং। ৱৰ বাৰিজ লোচন চক্ৰধৰং ॥" এই সংস্কৃত স্তোত্ৰটি ৰচনা কৰি গাই এখোজ দখোজকৈ ৰজাৰ ফালে আগ বাঢ়িছিল। সংস্কৃত শ্লোক ৰচনাত শঙ্কৰদেৱ কেনে সুনিপুণ আছিল এই সুন্দৰ স্তোত্ৰটিয়েই তাৰ চিনাকি।

একাদশ অধ্যা

বৰগীত

পুৰণি অসমীয়া সাহিত্য নানা ধৰণৰ গীত, পদ আদিৰ নিমিত্তে বিখ্যাত। কেতবোৰ লৌকিক গীত আগৰ দিনৰ পৰা মানুহৰ মুখে মুখে নামি আহিছে; সেইবোৰৰ সময় নিৰ্ণয় কৰা টান, কিয়নো ভালেমান ঠাইত সেইবোৰ আধুনিক ভাব আৰু ভাষাৰে সান-মিহলি হৈ পৰিছে। আন কেতবোৰক পুৰণি পুথি-বোৰে বুকুত সাৱটি ধৰি ৰক্ষা কৰি আহিছে। অসমীয়া ওজা-পালিৰ অনুষ্ঠান মহাপুৰুষ শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ আগৰেই পৰা চলি আহিছিল, কিয়নো তেওঁৰ ধৰ্ম্ম প্ৰচাৰৰ প্ৰথম অৱস্থাত ওজা-পালিৰ অনুষ্ঠানৰ ভিতৰেদি তেওঁৰ পদপুথিবোৰৰ সাৰমৰ্ম্ম লোকসমাজত তেওঁ জনাজাত কৰাইছিল। ওজা-পালি-বোৰৰ ৰব প্ৰিয় বেউলা লখিন্দাৰ আদিৰ গীতবোৰো ৰব পুৰণি কলীয়া যেন লাগে। সুকৰি নাৰায়ণ আৰু দুৰ্গাবৰৰ বেউলাৰ গীত শঙ্কৰদেৱৰ আগেয়েই ৰচিত হোৱা বুলি ভাবিবৰ কাৰণ থকা যেন লাগে। দুৰ্গাবৰ কবিয়ে ৰামায়ণ পুথিকো গীতৰ আকাৰত ভাঙি উলিয়াইছিল। গীতৰ আকাৰত পুথি লেখা তেতিয়াৰ দিনৰ প্ৰচলিত ৰীতি আছিল। পুৰণি কামৰূপৰ ভাটি অঞ্চলত পীতাম্বৰ নামে কবি এজন আছিল। তেওঁ শঙ্কৰদেৱৰ সমসাময়িক হ'লেও তেওঁৰ প্ৰভাৱৰ বাহিৰত আছিল। তেওঁৰো গীতৰ আকাৰত কাব্য ৰচনা কৰিছিল। তেওঁৰ "উষাপৰিণয়" গীত কাব্য ছপা হৈ ওলাইছে, কিন্তু গুৰুচৰিতত উল্লিখিত তেওঁৰ দশমৰ পদ এতিয়াও আৱিষ্কৃত হোৱা নাই।

ইয়ানবোৰ গীত, পদ আদিৰ ভিতৰতো শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৰগীতবোৰে তেতিয়াৰ সাহিত্য আৰু সমাজত এক যুগান্তৰ উপস্থিত কৰিছিল। বৰগীতবোৰৰ ভাব, ভাষা আৰু সুৰ একেবাৰে নতুন ধৰণৰ। আন গীত-পদবোৰ ৰামায়ণ আৰু পুৰাণ আদিক আশ্ৰয় কৰি ৰচিত হ'লেও লৌকিক ভাৱত বাজে ধৰ্ম্ম আৰু ভক্তিৰ উচ্ছ্বাস সেইবোৰত সমূলি নাই। ঠায়ে ঠায়ে ৰসাল আৰু কবিত্বপূৰ্ণ হ'লেও সেইবোৰ মুখ্যভাৱে লোকৰঞ্জনৰ নিমিত্তে ৰচিত হৈছিল। তাৰ ভিতৰৰ ভালেমান কবিতা প্ৰেম-ৰসাত্মক, কিন্তু সেই প্ৰেম সাধাৰণ নায়ক-নায়িকাৰ কামভাব-পূৰ্ণ প্ৰেম হে। শঙ্কৰদেৱ আৰু মাধৱদেৱে গীত আৰু কবিতাক নৱ প্ৰচাৰিত ভক্তিৰসেৰে অভি-ষিক্ত কৰি অসমীয়া সাহিত্যক আধ্যাত্মিকতাৰ ওখ ভেটিত থাপনা কৰি ঈশ্বৰাভিমুখী কৰি তুলিলে; আৰু লগে লগে মানুহৰ মনকো ওপৰৰ ফালে চাল খুৱাবলৈ চেষ্টা কৰিলে। সময়ে সময়ে লব্ধপ্ৰতিষ্ঠ পুৰণি কবি-সকলৰ পদত নৱপ্ৰচাৰিত ভক্তিৰসৰ সংযোগ কৰি সেইবোৰক সময়োপযোগী কৰি ৰক্ষা কৰিছে আৰু আন সময়ত বা সাধাৰণ মানুহৰ মন যোগাবলৈ গীত কবিতা ৰচোতা অৰ্ব্বাচীন কবি সকলক তাচ্ছি-ল্যেৰে উপলুপ্ত কৰি তলত পেলাইছে। ধৰ্ম্ম আৰু সমাজ গঠনৰ দৰে সাহিত্যক্ষেত্ৰতো এই মহাপুৰুষ দুজনে পূৰ্ব্বৰ গৌৰৱ অক্ষুন্ন ৰাখি বৰ্ত্তমানৰ ভেটি শকত কৰি ভৱিষ্যতৰ দুৱাৰদলিত থিয় হৈছিল।

মাধৱ কন্দলি শঙ্কৰদেৱৰ দুপুৰুষ আগৰ কবি। তেওঁৰ ৰচিত ৰামায়ণ ছপা হৈ এতিয়াও অসমীয়াৰ ঘৰে ঘৰে জিলিকি আছে। কিন্তু শঙ্কৰদেৱৰ সময়ত তেওঁৰ ৰচিত ৰামায়ণে ভক্তিৰসাপ্লুত জনসমাজক তৃপ্তি দিব নোৱাৰি তল পৰি যাবলৈ ধৰিছিল যেন লাগে। কিয়নো অনন্ত কন্দলিয়ে নৱ প্ৰচাৰিত ভক্তি ধৰ্ম্মক মূল কৰি ৰামায়ণৰ আকৌ এখন নতুন ভাঙনি উলিয়ায়। কিন্তু শঙ্কৰদেৱ আৰু মাধৱদেৱে উত্তৰা আৰু আদি কাণ্ড যোগ দি পুৰণি কবিৰ মূল ৰামায়ণক অক্ষত ৰাখি সময়োপযোগী কৰি ৰাখিলে। এই বিষয়ে গুৰু চৰিতত গল্প এটি আছে:—

"আৰু মাধৱ কন্দলিৰ কবিতা ৰামায়ণ চাকিচুকি গুচাবৰ মন দিলে অনন্ত কন্দলিয়ে। তেনে গুৰুজনত বিপ্ৰে স্বপ্নত শৰণাপন্ন হৈ প্ৰাৰ্থিলে ৰৰৰ হেতু। পাচে গুৰুজনে বোলে, ৰবাৰ পো, তোমাৰ মিতাৰ শাস্ত্ৰ কবিতা-গু চাৰি যে খোজে আমি ধৰো গোৰত তুমি হোৱা আগে। তেহে আদ্য উত্তৰা কৰিছে। কাপোৰৰ গাৰি দৰে আগ গোৰ সৰে ৰল, উপদেশ আচুকুল হ'ল। আগে উপদেশ নাই 'ভভ 'ভভ'হে আছিল আধ্যাত। মাধৱ "কন্দলিৰ ছপা ৰামায়ণত এতিয়াও শঙ্কৰদেৱ আৰু মাধৱদেৱৰ উত্তৰা আৰু আদি কাণ্ড সন্নিৱেশিত হৈ আছে। মাধৱ কন্দলিয়ে এই দুই কাণ্ড নিজেও ৰচনা কৰিছিলনে নাই তাৰ প্ৰমাণ নাই কিন্তু পুৰণি ভক্ত-সকলে যে এই দুই কাণ্ডৰ সন্নিৱেশ ভক্তিৰ আচুকুল বুলি ধৰি লৈছিল সেই বিষয়ত সন্দেহ নাই।

ভাটি অঞ্চলৰ পৰা নাৰায়ণ দাসে (পেহত ঠাকুৰ আতা নামে খ্যাত) যেতিয়া পাটবাউসীলৈ শঙ্কৰদেৱৰ ওচৰত ধৰ্ম্ম ধৰিবলৈ আহে তেতিয়া শঙ্কৰদেৱে সেই অঞ্চলৰ প্ৰধান প্ৰধান মানুহ সকলৰ পৰিচয় সুধিলে। নাৰায়ণ ঠাকুৰে পীতাম্বৰ নামক কবিৰ পৰিচয় দি ক'লে যে তেওঁ দশমৰ পদ ভাঙিছে। নাৰায়ণ দাসে শঙ্কৰদেৱৰ আদেশ অনুসাৰে ৰুক্মিণীহৰণ পদ কেইফাকি মাতি শুনালে। তাৰ ভিতৰত এফাকি আছিল "কোন অঙ্গে খুন দেখি নাইলা যদুমণি"। ৰুক্মিণী দেৱীয়ে শ্ৰীকৃষ্ণ অহাত পলম হোৱা দেখি এইদৰে বিলাপ কৰি কান্দিছে। পদ শুনিয়েই শঙ্কৰদেৱে নাৰায়ণ ঠাকুৰক আৰু পদ গাবলৈ হাক দি ক'লে—

গৰ্ব্ব পৰ্ব্বতত সিতো উঠিয়া আছয়।
ধৰ্ম্ম ধৰিবাৰ সিতো যোগ্য নোহে লোক॥

পদ কাঁকিত পৰম পুৰুষৰ প্ৰেমত উন্মত্তা ৰুক্মিণী দেৱীক যি কদৰ্য্য নায়িকাৰ দৰে চিত্ৰিত কৰা হৈছে সি নিকাম-ভক্তি-ধৰ্ম্ম প্ৰবৰ্ত্তক শঙ্কৰ দেৱৰমানত নগ্ন কামুকতাৰ নিলাজ বুভুক্ষাৰ দৰে প্ৰতিভাত হ'ল।

বৰগীত আৰু পুৰণি সাহিত্যৰ আন আন গীত-বোৰৰ পাৰ্থক্য এয়ে। বৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাবৰ ওপৰত প্ৰতিষ্ঠিত। সেই কাৰণেই সেইবোৰক 'বৰ' গীত বোলা হয়। ইংৰাজ কবি হেৰিকেও (Herrick) কেতবোৰ আধ্যাত্মিক ভাবৰ কবিতা ৰচনা কৰি সেইবোৰৰ নাম দিছিল Noble Numbers, আমাৰ সাহিত্যতো বৰগীতবোৰ Noble Numbers.

এতিয়া দেখা গ'ল যে পুৰণি সাহিত্যত গীতৰ প্ৰাচুৰ্য্য থাকিলেও বৰগীতবোৰ ভাব আৰু ভাষাত অতিশয় বেলেগ ধৰণৰ। সাহিত্য আৰু ধৰ্ম্ম জগতত সেইবোৰে নতুন যুগৰ আগমন সূচনা কৰিছিল। এফালে লোকৰঞ্জন আৰু আন ফালে অতৰ্কিতভাবে আধ্যাত্মিকতাৰ ওখ আদৰ্শলৈ জনসমাজৰ মন আকৰ্ষণ এয়ে অসমীয়া গীত সাহিত্যত বৰগীতৰ ঐতিহাসিক বিশেষত্ব।

গুৰুচৰিতত উল্লেখ আছে যে গুৰুজনে আদিতে বাৰকুৰি (২৪০টি) বৰগীত ৰচনা কৰিছিল। বৰ-পেটাৰ কমলা গায়ন নামে এজনে আওবাবলৈ দিয়ে। চ'ত মহীয়া বন-পোৱা বতাহত ঘৰ পোৰাত সেইবোৰ পুৰিলে। "গুৰুজনে খেদ কৈ বোলে, ববাৰ পো, অনেক শ্ৰমকৈ গীতখানি কৈলো পুইলে। গীত কিছু কৰা। আমি নকৰো"। গুৰুবাক্য মনত ধৰি মাধৱ-দেৱে নকুৰি এঘাৰটা (১৯১টি) বৰগীত ৰচনা কৰিলে। প্ৰচলিত ছপা বৰগীত পুথিত এই সংখ্যাৰ অলপ তাৰতম্য দেখা যায়। কিন্তু মাধৱদেৱৰ ৰচিত গীতৰ সংখ্যা যে কিয় বেছি ইয়াৰ পৰা বুজা যায়।

সকলো জাতীয় আৰু মহাজাতীয় আন্দোলনক সাহিত্যই বতাহে বন-পোৱা জুইক সহায় কৰাৰ দৰে সহায় কৰে। সাহিত্যৰ ওপৰত প্ৰতিষ্ঠিত হ'ব নোৱাৰিলে কোনো আন্দোলনেই যুগমীয়াকৈ তিষ্টিব নোৱাৰে। আৰু গীতেই এই জাতীয় আন্দোলনৰ সহায়কাৰী সাহিত্যৰ প্ৰধান অঙ্গ। নাট, পদ আদিতকৈও গীত-বোৰে শঙ্কৰদেৱৰ বৈষ্ণৱ আন্দোলনক বিপুলভাৱে সহায় কৰিছিল। পাখি-লগা কাঁড়ৰ দৰে শঙ্কৰ আৰু মাধৱদেৱৰ গীতবোৰ উৰি ফুৰি য'তে পৰিছিল ত'তেই নৱ আধ্যাত্মিক ভাৱৰ গুটি সিচিছিল। চৰিত পুথিবোৰত বৰগীতে কেনেকৈ প্ৰধান প্ৰধান শিষ্যসকলক শঙ্কৰদেৱৰ ওচৰলৈ আকৰ্ষণ কৰি আনিছিল তাৰ উল্লেখ আছে। নাৰায়ণ ঠাকুৰে ভাস্কৰাচাৰ্য্যৰ মুখে শঙ্কৰদেৱৰ গুণ গৰিমা শুনি তেওঁৰ ওচৰত ধৰ্ম্ম ধৰিবলৈ আহি বাটত খ ৰিকটীয়া ভকত কেতবোৰৰ মুখত "মন মেৰি ৰাম চৰণহি লাগু" এই গীতটোৰ ভণিতাত শঙ্কৰদেৱৰ নাম শুনি সেই খৰি-কটীয়া-সকলৰ নিৰ্দ্দেশ অনুসাৰে শঙ্কৰদেৱৰ পদপ্ৰান্তত উপস্থিত হল'হি। ৰামৰায় আতাৰ কন্যা কমলাপ্ৰিয়া দেৱীৰ মুখত "পামৰ মন ৰামচৰণে চিত্ত দেহ" এই গীতটো শুনি তেওঁৰ স্বামী চিলাৰায় দেৱানে শঙ্কৰৰ মহিমা বুজি তেওঁত শৰণ প্ৰাৰ্থনা কৰে।

শিষ্যত্ব গ্ৰহণ কৰাৰ পিছত চিলাৰায় দেৱানে শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰত কিমান সহায় কৰিছিল সেইটো ইতিহাসৰ কথা।

ৰচনাৰ মাধুৰ্য্য আৰু ভাবৰ গাম্ভীৰ্য্যৰ লগে লগে বৰগীতবোৰৰ লোকপ্ৰিয়তাৰ আন এটি কাৰণ হৈছিল মাধৱদেৱৰ সুগায়কত্ব। মাধৱদেৱ এফালে যেনে মৰ্ম্মস্পৰ্শী কবি আন ফালে তেনে মনোমুগ্ধকাৰী সুগায়ক আছিল। এখন পুৰণি পুথিত মাধৱদেৱৰ গীত নৈপুণ্যক লক্ষ্য কৰি কোৱা আছে যে তেওঁ আগৰ জন্মত গন্ধৰ্ব্ব আছিল। আৰু পুৰণি কালত এনে এটি সময় আহিছিল যে ভণিতাত মাধৱদেৱৰ নাম নাথাকিলে কোনো গীতেই ভক্ত সমাজত গৃহীত নহৈছিল। সেই কাৰণে দেখা যায় ৰাতিখোৱা আদি সম্প্ৰদায়ৰ ভক্তসকলৰ মুখে মুখে বাগৰি ফুৰা দেহ-বিচাৰৰ গীতবোৰৰ ভণিতাতো মাধৱদেৱৰ নাম আছে। আজিকালিও গাৱঁলীয়া মানুহবোৰে গীত ৰচনা কৰি কেতিয়াবা কেতিয়াবা "কহয় মাধৱ দাসে" বুলি ভণিতা পেলায়।

এইবোৰ কাৰণে বৰগীতবোৰৰ ইমান বিস্তৃতি ঘটিছিল যে মৰুভূমিত উটে পানীৰ গোন্ধ লৈ জলাশয়

বিচাৰৰ দৰে তৃষিত মানৱ সকলেও বৰগীতৰ ধ্বনি প্ৰতিধ্বনিৰ লক্ষ্য কৰি গুৰু দুজনৰ ওচৰত উপস্থিত হৈছিল।

আটাইবোৰ বৰগীতৰ ৰচনাৰ কাল আৰু উপলক্ষ্য নিৰ্দ্ধাৰণ কৰিব নোৱাৰি। চৰিত পুথিবোৰত কেত-বোৰৰ হে ৰচনাৰ সময় আৰু উপলক্ষ্যৰ কথাৰ উল্লেখ আছে। কিন্তু গীত বা কবিতা হিচাপে বৰগীতবোৰৰ সৌন্দৰ্য্য এই প্ৰশ্নটিৰ ওপৰত নিৰ্ভৰ নকৰে দেখি সেইটোৰ আলোচনা ইয়াত কৰা নহ'ল।

নাট, পদ আদিবোৰৰ দৰে বৰগীতবোৰতো ভগৱান কৃষ্ণৰ বিশাল পুৰুষত্ব ফুটি ওলাইছে। বৰগীতবোৰৰ বেছি ভাগতেই একালে কৃষ্ণৰ পৰম পুৰুষত্ব আৰু আন ফালে দহজনৰ এজন হৈ মানৱী লীলা প্ৰকাশ—এই দুফলীয়া ব্যক্তিত্বৰ বিকাশ দেখা যায়। ধাতুৰ মুদ্ৰা এটিৰ একালে ৰজাৰ ছাব আৰু আনকালে মুদ্ৰাটিৰ বেচকেৰিৰ উল্লেখ থকাৰ দৰে, গীতবোৰতো একালে পৰম পুৰুষৰ মানৱী লীলাৰ ব্যক্তিত্বৰ ছাব আৰু আনকালে ভক্তৰ ভাগাত সেই ছাব খিনিৰ মূল্যৰ ইঙ্গিত আছে। শঙ্কৰদেৱৰ ৰচিত যিবোৰ গীত এতিয়াও আছে, সেই আটাইবোৰেই প্ৰাৰ্থনা সূচক। মানৱ জীৱন দুষ্প্ৰাপ্য অথচ ক্ষণভঙ্গুৰ আৰু মায়াময়, হৰি ভকতি মোহাচ্ছন্ন জীৱন সমুদ্ৰত ধ্ৰুৱ তৰা; এয়ে নানা ভাৱ আৰু ভাষাত শঙ্কৰদেৱৰ গীতবোৰৰ সাধাৰণ তাৎপৰ্য্য। মাধৱদেৱৰ ৰচিত গীত কেতবোৰতো এই ভাৱৰ পুনৰুক্তি আছে। কিন্তু তেওঁৰ বেছি ভাগ গীততেই শিশুকৃষ্ণৰ বাল্য জীৱনৰ ৰঙ-ৰেৰঙৰ চিত্ৰ ফুটি ওলাইছে। আন আন প্ৰবন্ধত দেখুৱা হৈছে যে বাৎসল্যপ্ৰেম মাধৱ-দেৱৰ ভক্তজীৱনৰ সৰ্ব্বস্ব। গীত, পদ, নাট সকলো-বোৰতেই তেওঁ শ্ৰীকৃষ্ণৰ শিশুচৰিত্ৰ সজীৱ কৰি তুলিছে।

ল'ৰা কৃষ্ণৰ লীলাক্ষেত্ৰ ব্ৰজ। আৰু লীলাখেলাৰ প্ৰধান প্ৰধান ভাৰুৱাসকল হৈছে যশোদাদেৱী, স্বয়ং কৃষ্ণ, দাম সুদাম আদি গৰখীয়া লৰাবোৰ আৰু ৰাধিকা আদি গোৱালনীসকল। এই নিৰীহ প্ৰাণীসকলৰ স্নেহ আৰু ভক্তিৰ গুণত আপোনাআপুনি মেৰপাক খাই পৰম পুৰুষে গৰখীয়া ল'ৰাৰ ভাও ধৰি নানা ৰঙ ধেমালিৰ অৱতাৰণা কৰিছে। তীব্ৰ ভাস্বৎ সূৰ্য্যৰ পোহৰে পাত্ৰভেদে স্নিগ্ধ মধুৰ কিৰণ বিলোৱাৰ দৰে পৰমপুৰুষেও পাত্ৰভেদে এই অজলা প্ৰাণী-সকলৰ ভিতৰত সৰল মাধুৰ্য্য প্ৰকাশ কৰি সকলোৰে মন হৰণ কৰিছে।

পুৱাতেই যশোদাদেৱীয়ে কৃষ্ণক গৰু চৰাবলৈ জগাই দিয়ে। দাম সুদাম আদি গৰখীয়া সকলৰ লগত শিকিয়াত ভাত বান্ধি লৈ গৰু চাৰি গধূলি উভতি আহি বনৰ পাতে গাটো কাটিলে বুলি মাকৰ আগত অভিমানকৈ একো নোখোৱাকৈ শুই থাকিবৰ দিহা কৰে। আথে বেথে মাকে আহি খীৰ, ননী আদি গাত ঘহি গাটো পুৰাই দিয়ে। কেতিয়াবা ভোক লাগিছে বুলি পেটত হাত বুলাই মাকৰ আগত কান্দে। কেতিয়াবা আকৌ আনৰ লগত খৰিয়াল কৰি মাকৰ ভয়ত লুকাই ফুৰে। ইত্যাদি নানা ধৰণৰ চৰহ শিশু-চৰিত্ৰৰ কল্পনা নৈপুণ্যত বৰগীতবোৰে কবিতা হিচাপে জগতৰ কাব্য সাহিত্যত অতি ওখ ঠাই লাভ কৰিব পাৰে।

ভাৰতীয় প্ৰাদেশিক বৈষ্ণৱ সাহিত্যত এনে ধৰণৰ কবিতা অতি বিৰল। আন আন ৰস প্ৰকাশক গীত-কবিতা আন আন সাহিত্যত বহুত আছে। কিন্তু বাৎসল্য ৰস প্ৰকাশক এনে ধৰণৰ গীত-কবিতা নাই বুলিলেই হয়। বৈষ্ণৱ ইতিহাসত মহাৰাষ্ট্ৰীয় ভক্ত তুকাৰামৰ গীত কেতবোৰত বাৎসল্য ৰস ফুটি ওলোৱা বুলি শুনা যায়। কিন্তু তেওঁৰ মূল কবিতাবোৰৰ লগত পৰিচয় নথকাত সেই বিষয়ত কোনো মতামত দিব নোৱাৰি।

কিন্তু বাৎসল্যৰসতেই বৰগীতবোৰৰ বিচিত্ৰভাৱৰ ওৰ পৰা নাই। পাৰিপাৰ্শ্বিক অৱস্থা স্নেহাভিষিক্ত হ'লে সৰু ল'ৰা এটিয়ে যেনেকৈ পুতলিমনেৰে নানান ধেমালি কৰিব পাৰে সেই সকলোবোৰ ধেমালিৰেই ভক্তৰ মনত লীলা কৌতুক হিচাপে গীতবোৰত ফুটি ওলাইছে। শ্ৰীকৃষ্ণই কেতিয়াবা বা নটবৰ বেশে লগৰীয়া গৰখীয়াবোৰৰ মাজত নাচিছে, কেতিয়াবা বা গোৱালনীসকলে খীৰ লৱনু আদি হাতত দি তেওঁক নচুৱাই তৃপ্তি লাভ কৰিছে। ভক্ত কবিয়ে "ত্ৰিজগত পতিৰ বাখোৱাল ৰূপৰ" তুলনা নেপাই কেতিয়াবা তেওঁক গোৱালনীসকলৰ পুঞ্জীভূত প্ৰেম বুলি কল্পনা কৰিছে :—

> কানাইৰ ৰূপৰ উপমাৰ কিবা কেম।
> একপুঞ্জ হয়া আছে গোপিনীৰ প্ৰেম ॥
> সকল জগতে বোলে কানাই কালীয়া।
> কালা নোহে শ্যামৰূপ ধৰিছে অমিয়া ॥

গোপীসকলৰ আনাসৰ লাৰু হলেও বিদ্যাপতি চণ্ডীদাস আদি কবি সকলৰ পদাৱলীৰ দৰে তেওঁ-লোকৰ লগত শ্ৰীকৃষ্ণৰ অবৈধ প্ৰেমৰ কোনো চিত্ৰ নাই। শ্ৰীকৃষ্ণ বৃন্দাবনৰ অধিষ্ঠাতা দেৱতাৰ নিচিনা আছিল আৰু জীৱ জন্তুৰ কথাকেই নকওঁ তৃণ তৰু আদিয়েও তেওঁৰ প্ৰভাৱ অনুভৱ কৰিছিল। অন্ততঃ তেনে ভাবেই গোকুলবাসীসকলে তেওঁৰ অস্তিত্ব স্বীকাৰ কৰিছিল। কিয়নো শ্ৰীকৃষ্ণ বেতিয়া গোকুল

ৰি মথুৰালৈ যায়, তেওঁলোকে এইদৰে খেদ কৰিছিল —

কি কহবো উদ্ধৱ কি কহবো প্ৰাণ।
গোবিন্দ বিনে ভয়ো গোকুল উচান ॥
শূন্য ভৈল অঙ্গিনা বিবিন্দা বিপিন।
না পোভে ৰজনী বৈচে চান্দ বিহীন ॥
নাহি চাৰব ধেনু কালিন্দী কুল।
আৰ নুশুনবু বেণু কদম্বকু মূল ॥
মথুৰা ৰহল সব গোপিনীক পিউ।
কেশৱ বিনে কৈচে ধৰব জীউ ॥

এই নানা ৰঙৰ চিত্ৰৰ ভিতৰত ভক্ত কবিয়ে কি ভাৱে নিজৰ লগত এই নানান ৰূপ বিকাশৰ সম্বন্ধ খুজিছিল সেইটো উল্লেখ যোগ্য। এইবোৰ ৰূপ কবিৰ মানস সৰোবৰত ভাহি থাকিলেও তেওঁৰ অন্তৰৰ দৃষ্টি আছিল মানৱৰূপী ভগবানৰ চৰণত।

বৈকুণ্ঠৰ পতি প্ৰভু বনে চাৰে ধেনু।
কহয় মাধৱ গতি কানু পদ ৰেণু।

"পদৰেণু" সেৱা বা দাস্যভাৱেই শঙ্কৰ আৰু মাধৱদেৱৰ সাধক জীৱনৰ মূলভাৱ আৰু এই ভাৱতেই তেওঁলোকৰ সকলো সাহিত্যই ডুব গৈ আছে। সেই বিষয় ইয়াত আলোচনা কৰা নিষ্প্ৰয়োজন।

আমাৰ বৰগীতবোৰৰ নিচিনা ভাৰতীয় আন আন ভাষাতো তেতিয়াৰ দিনত নানাৰসৰঞ্জিত আধ্যাত্মিক গীত আছিল। কবীৰ, মীৰাবাঈসকলৰ নামে গীত সাহিত্যত অতি ওখ ঠাই অধিকাৰ কৰি আছে। বৈষ্ণৱ আন্দোলনে ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ যি আধ্যাত্মিক ভাৱৰ খলক লগাইছিল, যি ভক্তিৰ উচ্ছ্বাস সজাগ কৰি তুলিছিল, আমাৰ বৰগীতবোৰ সেই খলক আৰু উচ্ছ্বাসৰ প্ৰতিধ্বনি মাথোন। ভাৰতৰ এচুকত পৰি থাকিলেও বৰগীত আদি কৰি অসমীয়া বৈষ্ণৱ কবিসকলৰ পদাৱলীবোৰে ভাৰতৰ আন আন ঠাইৰ লগত অসমবাসীৰ শিক্ষা দীক্ষা আদিৰ ঐক্যভাৱৰ পৰিচয় দিয়ে ॥ ১*

দ্বাদশ অধ্যায়

শঙ্কৰদেৱৰ জন্মৰ তাৰিখ ১৩৭১ শক (১৪৪৯ খৃষ্টাব্দ); কাতি মাহ; অমাৱস্যা তিথি; বৃহস্পতি বাৰ; মাজ নিশা। "খাঁহীত" ছপা হোৱা গুৰু-চৰিত্ৰ পুথিত এই তাৰিখ পোৱা যায়। এই গদ্য গুৰু-চৰিত্ৰ পুথিখন শঙ্কৰদেৱৰ আদি স্থান বৰদোৱাৰ পৰা পোৱা হৈছে। এই শকটো মিষ্টাৰ গেইটে তেওঁৰ আসাম বুৰঞ্জীত দিয়া শকটোৰ সৈতে মিলে; যদিও তেওঁ তাত সন্দেহ প্ৰকাশ কৰিছে। ২* দৈত্যাৰি ঠাকুৰে কৰা শঙ্কৰদেৱৰ জীৱন চৰিত্ৰ পুথিত শঙ্কৰদেৱৰ জন্ম শকৰ উল্লেখ নাই; মাথোন মৃত্যুৰ শকহে উল্লেখ আছে; ৩* এই শক মিষ্টাৰ গেইটে দিয়া শকেৰে সৈতে মিলে। "খাঁহীত" প্ৰকাশ কৰা গুৰুচৰিত্ৰৰ শক অবিশ্বাস কৰিবৰ বিশেষ কাৰণ আমি দেখা নাই। প্ৰথমতে, সি মিষ্টাৰ গেইটে দিয়া শকেৰে সৈতে মিলিছে। দ্বিতীয়তে, এই পুথিখন শঙ্কৰদেৱৰ আদি স্থান বৰদোৱা সত্ৰত অতি যত্নেৰে ৰক্ষিত; তাত লিখা আন কোনো কোনো বিষয়ত সন্দেহ কৰিলেও জন্ম-তাৰিখটোত নকৰাই উচিত; কাৰণ, বৰদোৱাই তেওঁৰ জন্ম স্থান। বৰদোৱাৰ এই গদ্য গুৰুচৰিত্ৰ পুথিত লেখা আছে যে "এই সময়ত, অসমৰ ৰজা চুচেন্‌ফা ৰাজ সিংহাসনত আছিল। তেওঁৰ হিন্দুনাম হোৱা নাছিল; আহোম নামেই প্ৰচলিত আছিল।" চুচেন্‌ফাৰ ৰাজত্ব কাল ১৪৩৯—১৪৮৮ খৃষ্টাব্দ। শঙ্কৰদেৱৰ যেতিয়া জন্ম হয় (১৪৪৯ খৃষ্টাব্দ) তেতিয়া চুচেন্‌ফা আসাম ৰাজপাটত দহ-বছৰীয়া। ১৩৭১ শকটো শঙ্কৰদেৱৰ জন্মৰ শক বুলি বিশ্বাস কৰিবলৈ মিষ্টাৰ গেইটৰ বোধকৰো এইটো আপত্তি যে, তেনেহ'লে শঙ্কৰদেৱৰ জীৱনৰ কাল বৰ দীঘল হয়; অৰ্থাৎ ১১৯ বছৰ হয়। গেইটৰ মতে বোধকৰো সেইটো সম্ভৱ নহয়। আমি কওঁ সেইটো অসম্ভৱো নহয়। আগৰ কালৰ সৎ লোকসকল প্ৰায়ে দীৰ্ঘায়ু হোৱাটো দেখা যায়। তাৰ কাৰণ, তেওঁলোকৰ জীৱন-যাত্ৰা নিৰ্বাহ সহজ-ভাৱে সাধিত হৈছিল; তেওঁলোকৰ জীৱন-যাত্ৰা আজিকালিৰ মানুহৰ জীৱনৰ নিচিনা ar.ificial অৰ্থাৎ কৃত্ৰিম নাছিল। তেওঁলোকৰ মূলমন্ত্ৰ

১* বৰগীতৰ বিষয়ে এই অধ্যায়টি শ্ৰদ্ধাস্পদ অধ্যাপক বাণীকান্ত কাকতিৰ দ্বাৰাই ৰচিত। আমি অতি আদৰেৰে ইয়াক আমাৰ কিতাপৰ অন্তৰ্ভুক্ত কৰি লওঁ।

২* "He is said to have been born in 1449 and to have died in 1569. The latter date is probably correct, so the former must be about thirty or forty years too early."
"A History of Assam," —by Gait.

৩* "চৌধশ শব্দ শকত নিশ্চয় শঙ্কৰ বৈকুণ্ঠ গৈলা।" —দৈত্যাৰি।

"Plain living and high thinking"; অৰ্থাৎ সহজ ভাৱে জীৱনযাত্ৰা নিৰ্বাহ কৰা, আৰু ওখ চিন্তা কৰা। এই দুটাই যে দীৰ্ঘ-জীৱনৰ মূলমন্ত্ৰ তাক সকলো চিন্তাশীল মানুহে জানে। লেখকৰ প্ৰপিতামহ ১১০ বছৰ, পিতামহ ১০৫ বছৰ, আৰু পিতৃদেৱতা ৮২ বছৰ জীয়াই আছিল। পিতৃদেৱতা মৰিবৰ কাললৈকে সুস্থ আৰু সবল হৈ আছিল। আৰু এটা কথা,—শঙ্কৰদেৱে তেওঁৰ জীৱনৰ প্ৰথম ভাগত যোগশাস্ত্ৰ চৰ্চ্চা কৰি যোগ অভ্যাস কৰি সেই বিদ্যাত পৈণত হৈছিল। যোগীসকলৰ দীৰ্ঘ-জীৱন আৰু অনেক সময়ত ইচ্ছা-মৃত্যু হোৱাটো সকলোৱে জানে। কোচবেহাৰত বেতিয়া নৰনাৰায়ণ ৰজাই শঙ্কৰদেৱক তেওঁৰ গুৰু হ'বলৈ ধৰকৈ ধৰিলে, কোনো মতে শঙ্কৰদেৱে ৰজাৰ সেই প্ৰাৰ্থনা এৰাব নোৱাৰি, ৰজাক পিছ দিনা শৰণ দিয়া হ'ব বুলি ব্ৰতে উপবাসে থাকিবলৈ কৈ তেওঁ থকা ঘৰলৈ উভতি আহিল। পিছদিনা তেওঁৰ ঘোৰাত পলম হোৱাত ৰজাই মানুহ আৰু দোলা পঠিয়াই দিলত, শঙ্কৰদেৱে ক'লে যে "যাব যাব লাগে যদি ভালকৈয়ে যাম" এই বুলি তেওঁ ন কাপোৰ পিন্ধি হাত মুখ ধুই এনেকৈ প্ৰস্তুত হৈছিল যে সঙ্গৰ ভকতসকলে ভাবিছিল যে তেওঁ ৰজা-ঘৰলৈহে যাবলৈ ওলাইছে। কিন্তু ইয়াৰ পিছতে তেওঁ যোগাসনত বহি প্ৰাণ পৰিত্যাগ কৰিলে। এই ঘটনাটোত যোগী শঙ্কৰদেৱৰ যোগীসুলভ ইচ্ছা-মৃত্যুক স্পষ্টকৈ দেখিবলৈ পোৱা যায়।

"আসাম—বান্ধৱ"ৰ সম্পাদক মহাশয়ে বহাগ মাহৰ (১৩১৭-১৮ চন) বান্ধৱত লেখিছে—"আচলতে শঙ্কৰদেৱৰ জন্ম ১৪৬২ খ্ৰীষ্টাব্দত বা ১৩৮৩ শঁক আৰু ১৫৬৯ খ্ৰীষ্টাব্দ বা ১৪৯০ শঁকত তেওঁৰ মৃত্যু হয়। তেনেহলে দৈত্যাৰি ঠাকুৰে মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ জীৱনত উক্ত কৰা,— "চৌধণ নবৈৰে শকত নিশ্চয় শঙ্কৰ বৈকুণ্ঠ গৈলা" বুলি কোৱা আৰু ৰামচৰণ ঠাকুৰে লিখা শ্ৰীশঙ্কৰদেৱৰ লীলাত "তেৰ বৰিষ মন্দ আয়ু ভৈলা ছয় কুৰি" বুলি উক্ত কৰা কথাৰ মিল থাকিল। গতিকে ১৫৬৯—১৪৬২—১০৭ বছৰ শ্ৰীশঙ্কৰদেৱৰ জীৱিত কাল বুলি প্ৰমাণিত হ'ল।"

আমি দেখিছো শঙ্কৰদেৱৰ মৃত্যুৰ তাৰিখত (১৪৯০ শঁকত) কাৰো মতভেদ নাই; গতিকে তাক ঠিক বুলি ধৰা গ'ল। জন্মৰ শঁক লৈহে গোলমাল। এতিয়া চোৱা যাওক, "তেৰ বৰিষ মন্দ আয়ু ভৈলা ছয় কুৰি" কথাৰ মানে কি? বান্ধৱ সম্পাদকে "তেৰ বৰিষ মন্দ" মানে তেৰ বছৰ কম, অৰ্থাৎ ১৩ বছৰ কম ছকুৰি ধৰিছে। অসমীয়াত মন্দ মানে বেয়া বুলিহে আমি জানো, বেলে, দিন মন্দ। সেইদেখি এই পদ ফাকিৰ অৰ্থ এনে হ'ব নোৱাৰে নে?—যে শঙ্কৰদেৱে ছকুৰি বছৰ জীয়াই আছিল, কিন্তু তাৰে ভিতৰত তেৰ বছৰ তেওঁৰ শৰীৰ সিমান ভাল নাছিল। আৰু এটা কথা—১৩ বছৰ কম ছকুৰি বোলাটো স্বাভাৱিক নহয়, কুৰিৰ দুই এক বা দুই-পাঁচ কম হলেহে সাধাৰণতে মানুহে তেনেকৈ কয়। পাঁচ কুৰিৰ ওপৰে সাত বছৰ পায়েই যে ১৩ কম ছকুৰি বছৰ বুলিব এনেটো আমাৰ মতেখে অস্বাভাৱিক যেন লাগে। আৰু এটা কথা,—যদি মন্দ মানে কমেই প্ৰমাণিত হয়, তেন্তে হাতে-লেখা সাঁচিপতীয়া পুথি নকল কৰোতাই ভুল কৰি "এক বৰিষৰ" ঠাইতে "তেৰ বৰিষ" কৰাটোও অসম্ভৱ নহয়।

আমি ভালকৈ জানো, যে ৰামচৰণ ঠাকুৰ ৰচিত হাতে-লেখা আন কেইখনো গুৰু চৰিত্ৰত "তেৰ (১১/২) বৰিষ মন্দ আয়ু ভৈল ছয় কুৰি" বুলি লেখা আছে। তেৰ মাতিব নোৱাৰি তাৰ ঠাইত কোনো লেখকে তেৰ কৰাটো খুব সম্ভৱ। ছকুৰিৰ ১১/২ বছৰ কম হলে মাথোন ছমাহৰ গোলমাল থাকে।

ৰামচৰণ ৰচিত এখন পুথিত আছে— "ভাদ্ৰ মাস আসিয়া দ্বিতীয়া তিথি ভৈলা। সেহি সময়ত গুৰু নাট্য সম্বৰিলা॥ তেৰ (১১/২) বছৰ মন্দ আয়ু ভৈল ছয় কুৰি। প্ৰভু বৈকুণ্ঠক গৈলা নৰনাট এড়ি॥" আন দুখনত লেখিছে—"ভাদ্ৰ মাস শুকুলা দ্বিতীয়া তিথি ভৈলা। সেহি দিনা শঙ্কৰ বৈকুণ্ঠে চলি গৈলা॥ বৰিষেক মন্দ আয়ু ভৈল ছয় কুৰি। তেখেগে চলিলা গুৰু বৈকুণ্ঠ নগৰী॥" এই পুথিৰে এঠাইত আছে "আশ্বিন প্ৰবেশি পাঞ্চ দিন বহি গৈল। সেহি দিনা শঙ্কৰদেৱৰ জন্ম ভৈল॥" ধৰদোৱাৰ পুথিত কাতিমাহ বুলি আছে। কাতি হ'লেও এমাহৰ ভিতৰতে অমিলটো থাকে। শঙ্কৰদেৱৰ মৃত্যু যে ভাদত এইটো নিৰ্ভুল। আহিনৰ পৰা ভাদলৈ এবছৰ পূৰা হয়, তেৰ বছৰ নহয়; সেইদেখি "বৰিষেক মন্দ" অধিক সংখ্যক পুথিৰ পাঠ অধিক শুদ্ধ বুলি ধৰি শঙ্কৰদেৱৰ জীৱিত কাল ১১৯ বছৰ বুলি স্থিৰ কৰা গ'ল। এই নিমিত্তে "আসাম বান্ধৱে" তেওঁৰ পুথিত ভুল পাঠ পঢ়ি শঙ্কৰদেৱৰ বয়স ১০৭ বছৰ কৰিছে।

প্ৰাচীন কত্ৰমালা পুথি এখনত এটি শ্লোক আছে, তাক আমি তলত তুলি দিলো:—

"খ বাণ বিশ্ব বেদকে শকাব্দ গণিতোকে।
শ্ৰীমৎ শঙ্কৰ নামানোঽহ্যৱতীৰ্ণো কলৌযুগে॥
বিধু বহ্নি বেদ চন্দ্ৰ শকে শঙ্কৰ সংজ্ঞক:।
নৰভাৱং সমুৎসৃজ্য ভাদ্ৰে মাসি ত্যাগাৎপদং॥"

খ=০ ; বাণ=৫ ; বিশু=৫ ; বেদ=৪ ।
বিন্দু০= ; বন্ধু=৯ ; বেদ=৪ ; চন্দ্ৰ=১ ।

ওপৰৰ শ্লোকৰ দ্বাৰাই জনা গ'ল যে, কলিৰ ৪৫৫০ অব্দত শঙ্কৰদেৱৰ জন্ম হৈছিল ; আৰু ১৪৯০ শকত ভাদ মাহত তেওঁৰ মৃত্যু । বৰ্ত্তমান কলিৰ শতাব্দ ৫০১২।৪৫৫০ অব্দৰপৰা ৫০১২ লৈকে ৪৬২ বছৰ । শঙ্কৰদেৱৰ জন্ম ১৩৭১ শকত ধৰিলে বৰ্ত্তমান ১৮৩৩ শকত ৪৬২ বছৰ হয় । এতেকে ১৩৭১ শকত তেওঁৰ জন্ম বুলি নিৰ্ভুলকৈ প্ৰমাণিত হয় ।

কলিৰ ৩১৭৯ অব্দই সম্ভৱতঃ শকাদিত্যৰ প্ৰথম শক । কলিযুগৰ প্ৰথম ৰজা যুধিষ্ঠিৰ । ১৫৬২ শকত কায়েথালি পুথি এখনৰ পৰা ভঙা "ময়ুৰী" নামে এখন অসমীয়া অঙ্ক পুথিত আছে :—

"কলৌ আদ্য ভৱেৎ ৰাজা ধৰ্ম্ম পুত্ৰো যুধিষ্ঠিৰ ।
চতুৰ্দ্দশ শত বৰ্ষং দ্বাদশেন সমাযতং ॥

* * *

দ্বিষষ্টিচ শতত্ৰয়ং ময়ুৰেণ ভৱিষ্যতি ।
পঞ্চাধিক পঞ্চশতং সোমো ৰাজ্যং কৰিষ্যতি ।
অতপৰং শকো ৰাজা সৰ্ব্বগুণান্বিতোভৱেৎ ॥"

অৰ্থাৎ যুধিষ্ঠিৰৰ বংশই ১৪১২ বছৰ, নন্দৰংশই ৫০০ বছৰ, গৌতমৰ বংশই ৪০০ বছৰ, ময়ুৰ অৰ্থাৎমৌৰ্য্য বংশই ৩৬২ বছৰ, সোমৰ বংশই ৫০৫, মুঠতে ৩১৭৯ বছৰ ৰাজত্ব কৰাৰ পিছত শকাদিত্য ৰজা হয় । ৩১৭৯ কলিৰ অব্দ বছৰকে যদি শকাদিত্যৰ ১ম বছৰ ধৰা যায়, তেন্তে শঙ্কৰৰ জন্মৰ কলি-অব্দ ৪৫৫০টো ১৩৭১ শক হয় । ১৩৭১ শঙ্কৰদেৱৰ জন্ম শক হোৱাটোৰ এইটোও এটা প্ৰমাণ ।

সাৰ্ব্বভৌম ভট্টাচাৰ্য্যই শঙ্কৰদেৱৰ জীৱন চৰিত্ৰত শঙ্কৰৰ বয়সৰ কথা লেখিছে—"এক বাম ছয় বিংশ বৰিষ ভৈলন্ত ।" ইয়াৰ অৰ্থ আমি "এক কম ছকুৰি বছৰ হ'ল" বুলি বুজিছোঁ । বাম মানে বাওঁফালে দিয়া অঙ্ক অৰ্থাৎ বাদ দিব লাগে, এনেটো আমি বুজিছোঁ । আৰু এটা কথা—হাতে লেখা "কম" শব্দটো পুথি নকল কৰোঁতাই "বাম"ৰ নিচিনা দেখি "বাম" কৰাটোও অসম্ভৱ নহয় । সেইদেখি শঙ্কৰদেৱৰ বয়স "এক কম" ছকুৰি হ'লে, আমি দিয়া তাৰিখ ১১৯ বছৰেৰে সৈতে মিলে ।

আমি আমাৰ পিতৃদেৱতা দীননাথ বেজবৰুৱাৰ মুখে শুনিছিলোঁ যে শঙ্কৰদেৱ ছকুৰি বছৰ জীয়াই আছিল । পিতৃদেৱতাই পদ কৰা কল্পৰামলাৰ অন্তৰ্গত আচাৰ্য্য সংহতি গ্ৰন্থত (শ্ৰীযুত দিবাকৰ শৰ্ম্মাৰ দ্বাৰা প্ৰকাশিত মূল সংস্কৃতেৰে সৈতে ১৮১৫ শকত ছপা হৈ প্ৰকাশিত হৈছিল) শঙ্কৰাব্দ ৪৪৪ দিয়া হৈছে । ১৮১৫ শক যদি ৪৪৪ শঙ্কৰাব্দ হয়, তেন্তে শঙ্কৰ যে ১৩৭১ শকত জন্ম হৈছিল, সেইটো স্পষ্টকৈ ওলায় । কলিকতাৰ পি, এম, বাকচীৰ পঞ্জিকাতো শঙ্কৰাব্দ ৪৬২ (১৮৩৩ শক) দিয়া আছে । ১৮৩৩—৪৬২ —১৩৭১ ।

কিন্তু অনিৰুদ্ধ নামে এজনে ৰচনা কৰা শঙ্কৰদেৱৰ চৰিত্ৰত শঙ্কৰৰ জন্ম শক ১৩৮৫ আৰু মৃত্যু ১৪৯০ বুলি লেখি তেওঁ শঙ্কৰদেৱ ১০৫ বছৰ জীয়াই আছিল বুলি কৈছে ।—"যেতিক্ষণে গুৰুদেৱ বৈকুণ্ঠক গৈলা । ভাদ্ৰ মাস শুকুলা দ্বিতীয়া তিথি ভৈলা ॥ বৎসৰৰো কথা কহোঁ শুনিয়োক তাক । বিন্দু বন্ধু বেদ চন্দ্ৰ বুজা এই শক ॥ অৱতাৰ শক কহোঁ শুনা মন কৰি । বাণ বসু নগন চন্দ্ৰমা শক চাৰি ॥ এই শক হন্তে প্ৰয়াণৰ শক পাইবা । পঞ্চাধিক এক শত বৎসৰক পাইবা ॥" অনিৰুদ্ধই দিয়া মৃত্যুৰ শকত অমিল নায়েই ; জন্মৰ শকত হে মাখোন অমিল । অনিৰুদ্ধৰ পুথি ১৬৭৪ শকত ৰচিত— ("সিন্ধু সৈন্ধৱ চক্ৰেন্দু"), এতেকে ৰামচৰণ ঠাকুৰৰ অনেক পিছত । সেইদেখি অনিৰুদ্ধৰ কথাতকৈ শঙ্কৰদেৱক নিজ চকুৰে দেখা মাধৱদেৱৰ ভাগিনিয়েক ৰামচৰণৰ কথা বেছি মানিব লগীয়া ।

ত্ৰয়োদশ আধ্যা

শঙ্কৰদেৱৰ জন্মৰ সময়ত আসামত তান্ত্ৰিক শক্তি-পূজা প্ৰচলিত আছিল । হাঁহ ছাগ পাৰ ম'হ, আনকি, মানুহ পৰ্য্যন্ত বলি দি দেৱী গোসাঁনীৰ পূজা কৰা হৈছিল । সম্ভৱতঃ সেই কালতে কি তাৰ কিছু আগেয়ে ৰচিত হোৱা কালিকাপুৰাণত মানুহ বলিৰ বিষয়ে বিশেষকৈ লেখা আছে । বলি দিবলৈ উপযুক্ত মানুহৰ লক্ষণাদি কেনে হ'ব লাগে, আৰু কেনেকৈ সেই বলি দিব লাগে ইত্যাদি বিষয়ে তাত বহলকৈ বৰ্ণনা কৰা হৈছে । মুছলমানে ভঙা কামাখ্যা মন্দিৰ নৰনাৰায়ণ ৰজাই আৰু সজাই দি কামাখ্যাৰ প্ৰতিষ্ঠা কৰোঁতে ১৪০টা মানুহ বলি দিয়া হৈছিল । * আনকি নৰনাৰায়ণ ৰজাৰ ভতিজাক কোচহাজোৰ ৰজা ৰঘুদেৱে, কালাপাহাৰে ভঙা হাজোৰ হয়গ্ৰীৱ মাধৱৰ মণিকূট নতুনকৈ সাজি প্ৰতিষ্ঠা কৰাওঁতেও অনেক মানুহ বলি দিছিল, যদিও মন্দিৰৰ ভিতৰত শিলত কাটি লেখি থোৱা বিৱৰণত ৰঘুদেৱ ৰজাক কৃষ্ণভক্ত বুলি উল্লেখ কৰা হৈছে । সেই কালত

* পেইটৰ বুৰঞ্জী চোৱা ।

কামাখ্যাত এক শ্ৰেণীৰ মানুহ আছিল সিহঁতক ভোগী নাম দিয়া হৈছিল। এই মানুহবোৰ নিজৰ ইচ্ছাতে দেৱীৰ আগত বলি হ'বৰ নিমিত্তে সাজু আছিল। যি দিনাখনৰেপৰা সিহঁতে সিহঁতক দেৱীয়ে বলি ল'বলৈ আদেশ দিছে বুলি প্ৰকাশ কৰিছিল, সেইদিনাখনৰে পৰা সিহঁতক লোকে মান্য সৎকাৰ কৰিছিল, আৰু সিহঁতে যি মন যায় তাকে কৰাত কোনেও বাধা দিব নোৱাৰিছিল। আনকি, সিহঁতে নিজৰ ইচ্ছামতে যেই কোনো তিৰুতাকে সম্ভোগ কৰিবৰ অধিকাৰ পাইছিল। বছেৰেকৰ মূৰত দেৱীপূজাৰ সময়ত সেই মানুহবোৰ বলি দিয়া হৈছিল। ভৌতিক বিদ্যা, ঐন্দ্ৰজাল বিদ্যা, মঙ্গল চোওৱা, সুৰাপান, গৰ্ভৱতী তিৰোতাৰ গৰ্ভ ছিৰি ভ্ৰূণপৰীক্ষা আদি * জঘন্য কাৰ্য্যও তান্ত্ৰিকসকলৰ ভিতৰত প্ৰচলিত আছিল। উজনিত সদিয়াৰ ফালে ছুটীয়াবিলাকৰ ভিতৰত কালী-পূজা প্ৰচলিত আছিল, সেই কালীক "কেঁচাইখাতী গোসাঁনী" বুলিছিল। এই পূজাৰ পুৰোহিত বা পূজাৰীক দেউৰী বোলা হৈছিল। দেউৰীবোৰ বামুণ নহয়, ছুটীয়া। সদিয়াৰ তামৰ দ'লত কেঁচাইখাতী গোসাঁনীৰ আগত অসংখ্য নৰবলি দিয়া হৈছিল। ষোড়শ শতিকাৰ আগডোখৰত যেতিয়া আহোমবিলাকে ছুটীয়া ৰাজ্য সম্পূৰ্ণৰূপে জয় কৰি ছুটীয়াবিলাকক নিজৰ তলতীয়া কৰে, তেতিয়া আৰু তাৰ অনেক কালৰ পিছতো ছুটীয়া দেউৰীয়ে সদিয়াৰ দ'লৰ কেঁচাইখাতী গোসাঁনীৰ আগত আৰু আন আন গোসাঁনীৰ মূৰ্ত্তিৰ আগত নৰবলি দিয়াৰ প্ৰমাণ পোৱা যায়। বিচাৰত যিবোৰ মানুহৰ প্ৰাণ দণ্ডৰ আদেশ হৈছিল, আহোমসকলে সেইবোৰ ডঁৰিত পৰা মানুহক দেৱী গোসাঁনীৰ আগত বলি দিবলৈ দিছিল। ডঁৰিত পৰা মানুহ নাপালে কোনো এক বিশেষ খেলৰ পৰা বলিৰ মানুহ বাছি লোৱা হৈছিল। বলি দিবলৈ আগ কৰা মানুহটোক খুৱাই বুৱাই চিকুণ কৰি থৈ বলি দিয়া হৈছিল, আৰু বলিৰ আগৰ ডোখৰ কালত সেই মানুহটোৱে তাৰ যিহকে মন যায় নিৰ্ব্বিবাদে তাকে কৰিবলৈ তাক এৰি দিয়া হৈছিল। আগৰ কালত আসামৰ কাছাৰ, ত্ৰিপুৰা, কোচ, আৰু জয়ন্তীয়া জাতিৰ মানুহৰ ভিতৰতো নৰবলি প্ৰথা প্ৰচলিত আছিল।

শঙ্কৰদেৱে ধৰ্ম্ম প্ৰচাৰ কৰা কালত আৰু তাৰ আগডোখৰতো আসামত তান্ত্ৰিক শাক্ত ধৰ্ম্ম যে প্ৰচলিত আছিল সেইটো ভালকৈ জানিব পাৰি। তান্ত্ৰিক শাক্ত হিন্দু ধৰ্ম্মই অসভ্য জাতিবোৰৰ জঘন্য ধৰ্ম্ম প্ৰথাৰে সৈতে মিহলি হৈ অধোগতি প্ৰাপ্ত হৈ কালক্ৰমত জঘন্য আকাৰ ধৰিছিল। ব্ৰাহ্মণসকল লোভী অনাচাৰী হৈ বেদবিহিত ব্ৰাহ্মণ্য কৰ্ম্মাদিৰপৰা ভ্ৰষ্ট হৈ পৰিছিল। সেইদেখি নৰনাৰায়ণ ৰজাই কামাখ্যাৰ মন্দিৰ নতুনকৈ সজাই গোসাঁনী প্ৰতিষ্ঠা কৰি গোসাঁনী পূজাৰ নিমিত্তে বঙ্গদেশৰপৰা ভাল বামুণ অনাই কামাখ্যাত থৈছিল। সেইদেখি ইয়াৰ আগৰ কালত কমতেশ্বৰ দুৰ্লভ নাৰায়ণে ধৰ্ম্মনাৰায়ণৰ হতুৱাই কনৌজৰপৰা কৃষ্ণ পণ্ডিত প্ৰমুখ্যে সাত ঘৰ বামুণ আৰু চণ্ডীৱৰকে প্ৰমুখ্য কৰি সাত ঘৰ ভাল কায়স্থ অনাই তেওঁৰ ৰাজ্যত পাতিছিল। সেই কালত যে কামৰূপত বামুণ নাছিল এনে নহয়, বৰং অলেখ বামুণ আছিল; কিন্তু তেওঁলোকে নিজৰ ক্ৰিয়া কলাপ ভালকৈ নাজানি আচাৰভ্ৰষ্ট হৈ পৰাৰ বাবে তলৰ শ্ৰেণীলৈ নামি হেয় বিবেচিত হৈছিল। সেইদেখি কামৰূপীয়া বামুণসকল কামৰূপবাসী কনৌজীয়া আৰু বামুণ-সকলৰ নাম্‌নাচত পৰিছিল। শঙ্কৰদেৱৰ চৰিত্ৰত শুনা যায় যে সেই কালত অনেক বামুণে হাল বাইছিল, আৰু হাল বাওঁতে বাহি গায়ে এহাতে এচাবিৰে গৰু খেদাইছিল আৰু আন হাতে পিঠা লৈ মুখত দি চোবাইছিল। অৱশ্যে মিথিলা, কনৌজ আদি দেশৰপৰা অহা কমলি উপাধি আদিৰে বিভূষিত নিষ্ঠাবান পণ্ডিত সদ্‌ব্ৰাহ্মণসকল তেতিয়া আসামত নাছিল যে এনে নহয়, কিন্তু তেওঁলোকৰ লেখ তাকৰ। এই কামৰূপীয়া ব্ৰাহ্মণসকলো যে পূৰ্ব্বকালত ভাৰত-বৰ্ষৰ উত্তৰ-পশ্চিম প্ৰদেশবোৰৰপৰা আহি কামৰূপত বসতি কৰা লোক তাত সংশয় নাই; কিন্তু তেওঁলোকে এই দেশত দীৰ্ঘকাল থাকি, তেওঁলোকৰ আচাৰ ব্যৱহাৰ দেশীয় আচাৰ ব্যৱহাৰেৰে সৈতে কালক্ৰমত সান-মিহলি হৈ পৰাৰ নিমিত্তে, হীন বিবেচিত হৈছিল। বঙ্গদেশতো এনেকুৱাই হৈছিল; আৰু এই বাবেই বঙ্গদেশৰ ৰজা আদিশূৰে কান্যকুব্জৰপৰা তেওঁৰ দেশলৈ পঞ্চব্ৰাহ্মণ কায়স্থ অনাই তেওঁলোকক দেশীয় ব্ৰাহ্মণ কায়স্থ সকলতকৈ শ্ৰেষ্ঠ মৰ্য্যাদা দিছিল। অতীজত আৰ্য্য জাতিৰ সোঁত ভাৰতলৈ বওঁতেও এনে কথাই হৈছিল। প্ৰথমতে ভাৰতত সোমাওঁতা আৰ্য্য থৈদ পিছত সোমাওঁতা আৰ্য্য থৈদতকৈ নীহ বিবেচিত হৈছিল, তাৰ পিছত সোমোৱা তৃতীয়ই প্ৰথম আৰু দ্বিতীয়তকৈ শ্ৰেষ্ঠ আসন পাইছিল। এইদৰে এক আৰ্য্যজাতিৰ ভিতৰতে ওখ তল প্ৰভৃতি শ্ৰেণী বিভাগৰ সৃষ্টি হৈছিল। ভাৰতত সোমোৱা মুছলমানসকলৰ ভিতৰতো এই দৰেই শ্ৰেণী বিভাগৰ সৃষ্টি হৈছিল। প্ৰথমতে ভাৰতলৈ অহা আৰব তুৰ্কী আৰু পাৰস্যৰ মুছলমানসকল তেওঁ-লোকৰ পিছত অহা মুছলমান সকলতকৈ অলপ নীহ বুলি পৰিগণিত হৈছিল; আৰু তাৰ পিছত অহা সকলতকৈ আগৰ সকল নীহ বিবেচিত হৈছিল।

* আইদি আকৰী।

শঙ্কৰদেৱে তেওঁৰ পাণ্ডিত্য আৰু বুদ্ধিৰে অপণ্ডিত অথচ হিংসক আৰু দম্ভী ব্ৰাহ্মণসকলৰ দম্ভ অনেক বাৰ নাভাঙি নেৰিছিল। সেইদেখি ব্ৰাহ্মণসকল তেওঁৰ মহা শত্ৰু হৈ উঠিছিল। ব্ৰাহ্মণসকলৰ মতে ব্ৰাহ্মণসকলৰহে শাস্ত্ৰ পাঠ আৰু চৰ্চ্চাত অধিকাৰ, শূদ্ৰিৰ সেই অধিকাৰ নাই। শঙ্কৰ শূদ্ৰ, সেইদেখি শঙ্কৰৰ ভাগৱত গীতা আদি শাস্ত্ৰ পাঠ আৰু আলোচনা তেওঁলোকৰ মতে অনাধিকাৰ চৰ্চ্চা। অথচ তেওঁলোকৰ নিজৰ অধিকাৰ ভিতৰুৱা শাস্ত্ৰ বিষয়ক তৰ্কতো তেওঁলোকক শঙ্কৰে হৰুৱাই মাতিব নোৱাৰা কৰিছিল; এনেস্থলত শঙ্কৰ তেওঁলোকৰ চকুৰ কুটা আৰু দাঁতৰ শাল নহৈ কি হ'ব? তাৰ উপৰি সৰ্ব্বসাধাৰণ লোকৰ মাজত তেওঁলোকে বিধি বিধান ধৰ্ম্ম কৰ্ম্মৰ ব্যৱস্থা দি পেটৰ ভাত মোকোলাই খাইছিল; এতিয়া শঙ্কৰে তিকতা শূদ্ৰিৰেও সহজে বুজিব আৰু জানিব পৰাকৈ শাস্ত্ৰৰ গুৰুলা ভাঙনি কৰি দি, আৰু সেইবোৰ নাম, গুণ, গীত, পদ, ভটিমা আদিৰে গাই সকলোৰে হাতৰ মুঠিৰ ভিতৰুৱা কৰি দিলে, এনে স্থলত শঙ্কৰ তেওঁলোকৰ পৰম শত্ৰু নোহোৱাটোহে আশ্চৰ্য্য। ল'ৰা শঙ্কৰে পঢ়াশালিত পঢ়োঁতে, অধ্যাপক মহেন্দ্ৰ কন্দলিয়ে শঙ্কৰৰ তীক্ষ্ণ বুদ্ধি আৰু প্ৰভাৱ দেখি শ্ৰদ্ধা কৰি শঙ্কৰক আনখিনাক ছাত্ৰৰ দৰে পঢ়াশালি মছিবলৈ নিদিছিল, আৰু শঙ্কৰ বুলি নামাতি শঙ্কৰদেৱ বুলি মাতিবলৈ ছাত্ৰবোৰক আজ্ঞা দিছিল। বামুণ ছাত্ৰবোৰে সেই কথা সহিব কেনেকৈ? সিহঁতে মহেন্দ্ৰ কন্দলি অধ্যাপকৰ নামে পঢ়াশালিৰ পৰিদৰ্শক বাযৰাচাৰ্য্য পণ্ডিতক গোচৰ দিলে, যে "শূদ্ৰৰ ল'ৰা শঙ্কৰক শঙ্কৰদেৱ বুলি মাতিবলৈ অধ্যাপকদেৱে আমাক হুকুম দিছে।" সেই কালত শূদ্ৰিৰ প্ৰতি বামুণৰ বিদ্বেষ পঢ়াশলীয়া কণ কণ ল'ৰাৰ ভিতৰতো কেনে প্ৰবল আছিল, এই কথাৰপৰা ভালকৈ বুজিব পাৰি।

শঙ্কৰদেৱে মদন গোপাল মূৰ্ত্তি কেৰোলা বাঢ়ৈৰ হতুৱাই কৰাই ব্ৰাহ্মণসকলক সেই মূৰ্ত্তি প্ৰতিষ্ঠা কৰিবলৈ নিমন্ত্ৰণ কৰাত ব্ৰাহ্মণসকলে মুঠ বান্ধি এই বুলি কৈ নাবাওঁ বুলিলে "আমি শুনিছোঁ শূদ্ৰিৰে ভৰি লগাই সেই মূৰ্ত্তি কাটিছে এতেকে সেই মূৰ্ত্তি আমি ব্ৰাহ্মণ হৈ কেনেকৈ প্ৰদক্ষিণ কৰিম।" এই কথা শুনিবলৈ পাই শঙ্কৰদেৱে প্ৰচাৰ কৰি দিলে যে যি যি ব্ৰাহ্মণে নিমন্ত্ৰণ ৰক্ষা কৰি আহিব, গাইপতি তেওঁলোকক একোজনী গাই, একোখন কাপোৰ, এতোলা সোণ, আৰু ৫ পাঁচ টকাকৈ ৰূপ দক্ষিণা দিয়া যাব। এই বাতৰি শুনি উৎসৱৰ দিনা ব্ৰাহ্মণসকলেৰে শঙ্কৰৰ ঘৰ ভৰি পৰিল।

"শ্ৰীশঙ্কৰদেৱে * ভাগৱতৰ সাৰ কাঢ়ি আনি হৰি ভক্তি প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিলত লোকসকল প্ৰায় চলিবলৈ ধৰিলে, ভকতিৰ ৰস পাই পূজা-অৰ্চ্চনা আদি ব্ৰাহ্মণৰ কাৰ্য্য ক্ৰমে ঢিলা পৰি আহিল। গতিকে, ব্ৰাহ্মণসকলৰ উপজীবিকাৰ পথ ক্ৰমে হ্ৰাস হোৱাত ব্ৰাহ্মণসকলে মনত খিং ভুঁক পাই ৰজাত জনাই শঙ্কৰৰ মত লোপ কৰিবলৈ কাৰবাৰ লগালে। এদিন আচাৰ্য্য, কন্দলি, মিশ্ৰ, উপাধ্যায়, ভাৰতী উপাধিধাৰী ব্ৰাহ্মণসকল মিল হৈ আহোম ৰজা চুহুনুং স্বৰ্গদেউৰ চাওঁলৈ গৈ এই বুলি গোচৰ দিলে যে শঙ্কৰ নামে শূদ্ৰ এজনে শ্ৰাদ্ধবিধি বৈদিক কাৰ্য্য ৰহিত কৰি ৰাজ্য নষ্টৰ উপায় কৰিছে। ৰজাই দূত পঠাই ধৰাই নি ব্ৰাহ্মণসকল আৰু শঙ্কৰদেৱক চাওঁত তুলিলে। ৰজাৰ দূতে ৰাজ আজ্ঞা মতে শঙ্কৰক সুধিলে 'তুমি বোলে ৰাজ্য নষ্ট কৰিলা'? গুৰুৱে উত্তৰ দিলে 'কেনেকৈ কি বেয়া কাম কৰি ৰাজ্য নষ্ট কৰিলোঁ, মই একো নাজানো।' পিছত ৰজাই ব্ৰাহ্মণসকলক সুধিলত তেওঁলোকে জনালে যে শঙ্কৰে শ্ৰাদ্ধ নকৰে, আৰু ভকতসকলকো কৰিব নিদিয়ে। শ্ৰাদ্ধৰ কথা শুনি ৰজাই ঘাবিত সুধিলে, 'শ্ৰাদ্ধ কাক বোলে?' তেতিয়া ঘাবিয়ে কলে—"মনুষ্য মৰিলে দহা আৰু শ্ৰাদ্ধ কৰে। মৰাৰ দহ দিনত দহা। ত্ৰিশদিনান্তে শ্ৰাদ্ধ। চাউল, কল, বসন ভূষণ ইত্যাদি দ্ৰব্য মৃতকক ৰবায়; পিছত ব্ৰাহ্মণসকলে সেইবোৰ নি খায়।' ৰজাই ব্ৰাহ্মণসকলৰ এনে ব্যৱহাৰ শুনি খং কৰি কলে 'মৃতকৰ বস্তু খায়। ইহঁতক চাওঁৰপৰা খেদাই দিয়া।' ৰজাৰ আজ্ঞা মাত্ৰেই ব্ৰাহ্মণসকল ভয় পাই চাওঁৰপৰা নামি আহিল। শঙ্কৰক ৰজাই প্ৰশংসা কৰি চাউল চৰু দুগ্ধ দিলে।

সেই দিনৰপৰা ব্ৰাহ্মণসকলৰ মনত শঙ্কৰৰ প্ৰতি আৰু অধিক ক্ৰোধ স্থায়ী হ'ল। শূদ্ৰ হৈ ব্ৰাহ্মণক লাঞ্ছনা দিয়ে; প্ৰথম অৱস্থাতে যদি এনে হ'ল ভৱিষ্যতলৈ ব্ৰাহ্মণে স্থানকে নোপোৱা হ'ব। তেওঁলোকে এইপ্ৰকাৰে ভাবি নানা কুমন্ত্ৰণা কৰি গাওঁ ফুৰিবলৈ যোৱা ভকতসকলক সময়ত বহু লাঞ্ছনা দিবলৈ ধৰিলে। কাৰো হাতৰ মালা কাঢ়ি নি কুকুৰৰ নেজত আৰে, কাকো দলি ফৰমুটি মাৰি শৰীৰত কষ্ট দিয়ে। কোনো কোনোজনক অকৰ্ম্মী চণ্ডাল বুলি গালি দিয়ে। ভকতসকলে ব্ৰাহ্মণৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি গুৰুজনত সাৰশেষ বিৱৰণ জনালে। ব্ৰাহ্মণৰ উপদ্ৰৱত ভকত বাহিৰলৈ ওলাব নোৱাৰা হ'ল। গুৰুজনে এই কথা বুঢ়াখাঁক ক'লে। তেওঁ শুনি কলে,—'অলপতে আমাৰ পিতৃশ্ৰাদ্ধ হব, তালৈ ব্ৰাহ্মণসকলক নিমন্ত্ৰণ কৰা যাব; আপোনাসকল আহি মীমাংসা কৰি ল'ব পাৰিব।' সময়মতে শ্ৰাদ্ধ পৰিলহি। বুঢ়াখাঁই সকলো ব্ৰাহ্মণক নিমন্ত্ৰণ

* বৰদোৱাত পোৱা গুৰুচৰিত্ৰ পুথি।

দিলে ; শঙ্কৰকো ভকতসকলৰ সহিতে ব্ৰাহ্মণপক্ষে মতালে। সকলো ব্ৰাহ্মণ সমাজ পাতি বহিছে ; শঙ্কৰদেৱে সমূহীয়া ভকত সকলক লৈ আড়ম্বৰ কৰি কাননি পাতি বহিছে। শঙ্কৰদেৱে সেইদিনা ঘৰৰ পৰা যোৱাৰ সময়ত কৈছিল, 'আজি হয় মালা এৰি আহিম, নহয় ভালকৈ লৈ আহিম।' সমাজ যেতিয়া সম্পূৰ্ণ হ'ল তেতিয়া শঙ্কৰদেৱে ব্ৰহ্মানন্দ আচাৰ্য্যক জিজ্ঞাসা কৰিলে,—'আতৈ, পাতকীৰ কৰ্ম্মত অধিকাৰ আছেনে ? অথবা পাতকীয়ে প্ৰায়শ্চিত্ত বা তিলকাঞ্চন দান কৰিলে উদ্ধাৰ হ'ব পাৰে নে ? আচাৰ্য্যই ক'লে, 'পাতকীৰ কৰ্ম্মত অধিকাৰ নাই ; প্ৰায়শ্চিত্তই শুদ্ধ কৰিব নোৱাৰে, কেৱল হৰিনামেহে পাতকীক নিস্তাৰ কৰিব পাৰে।' শঙ্কৰে বাৰে বাৰে দৃঢ়াই জিজ্ঞাসা কৰাত ব্ৰহ্মানন্দই হৰিনামৰ হে মহিমা ব্যাখ্যা কৰিলে। তাৰ পিছত শঙ্কৰে পুনৰায় প্ৰশ্ন কৰিলে 'যদি হৰিনামৰ ইমান মাহাত্ম্য হ'ল, সকলো শাস্ত্ৰই আৰু বেদেও নামকে হে প্ৰশস্ত বুলি ব্যাখ্যা কৰে, তেনেহলে যি লোকে নামক নিন্দা কৰে, তাৰ কি বোলা যায় ?' ব্ৰহ্মানন্দই শাস্ত্ৰ সন্মত অনুসাৰে ক'লে—'নাম নিন্দক জনক চণ্ডাল অপেক্ষাও হীন বোলা যায়। তাক দেখিলেও পাপ, স্পৰ্শ কৰিলেও পাপ, তাৰ নাম পৰ্য্যন্ত লব নাপায়।' এই দৰে তেওঁ নামৰ অপৰাধীৰ ব্যাখ্যা কৰিলে। শঙ্কৰদেৱে পুনঃ প্ৰশ্ন কৰিলে 'পাতকীৰ বস্তু খাব পাগ নে নাপায় ?' আচাৰ্য্যই উত্তৰ দিলে 'পাপীৰ বস্তু গ্ৰহণ কৰিলে পাপী হ'ব লাগে।' সমাজৰ সকলো ব্ৰাহ্মণে এই ব্যাখ্যাটি স্বীকাৰ কৰিলে। তেতিয়া শঙ্কৰদেৱে বুঢ়া-খাঁক জিজ্ঞাসা কৰিলে, 'তুমি পাপী নে পুণ্যশীল ?' তেওঁ উত্তৰ দিলে, 'আমি সদায় মিছাকথীয়া লোক, কেনেকৈ পুণ্যবান হম ?' 'পাতকীকে বুলিব লাগে।' তদন্তৰ শঙ্কৰদেৱে ব্ৰাহ্মণসকলক সুধিলে "আপোনাসকলে পাপীৰ বস্তু গ্ৰহণ কৰে নে নকৰে ?' উত্তৰ,—পূৰ্ব্বৰ চলিত কথা, বিশেষতঃ দেশীয় প্ৰথা থকাৰ নিমিত্তে খাবলগীয়া হৈছে ; সময়ত খোৱাও হৈছে।' 'প্ৰশ্ন,—এতিয়া আপোনাসকলে বুঢ়াখাঁৰ বস্তু খাবনে ?' উত্তৰত এই কথা সকলোৱে একমুখে স্বীকাৰ কৰিলে। শঙ্কৰে সুধিলে 'আচাৰ্য্যদেৱ, আৰু এটি কথা সোধা যাওক ;— একজন লোক অশুচী বা ছুৱা গাৰে আছে, তেওঁ নাম ললে কিবা দোষ বা পাপ হ'ব পাৰে নে ?' ব্ৰহ্মানন্দই মনুৰ ব্যৱস্থা দেখুৱাই হৰিনামত ছুৱা নাই বুলি প্ৰকাশ কৰিলে। এই কথা শুনি ধ্যাসকলাই * শৰ্ম্মাই হাত তুলি উচ্চস্বৰে ক'লে 'ব্ৰহ্মানন্দ আচাৰ্য কহিলে হেন সাৰ। যাৰ নাম পৰে ধৰ্ম্ম শ্ৰেষ্ঠ নাহি আৰ।' এটাই খাপুসকলে হৰিনামৰ শ্ৰেষ্ঠতা দেখি

* শঙ্কৰদেৱৰ শিষ্য বৈষ্ণৱ ভকত ব্ৰাহ্মণ

মাথা চপৰাই নিৰুত্তৰ হ'ল। যুক্তিযুক্ত কথাৰে দ্বিজ মণ্ডলীক জব্দ কৰি শঙ্কৰদেৱে ক'লে' তোমালোক পাপীৰ দ্ৰব্য গ্ৰহণকাৰী, নাম নিন্দকী, বেদ অৱহেলাকাৰী, অনাচাৰী, চুৱৰ অযোগ্য, তোমালোকে আমাৰ মালাধাৰী ভকতক নিন্দা কৰা, মালা কাঢ়ি কাঢ়ি নি নানা লাঞ্ছনা কৰা। যদি গীতা, সহস্ৰনাম, শ্ৰীমদ্ভাগৱত শাস্ত্ৰত মালাৰ ব্যৱস্থা নাই, তেন্তে আমি নিজে মালা পৰিত্যাগ কৰিম। যদি শাস্ত্ৰত আছে, সেই শাস্ত্ৰৰ সাৰ মৰ্ম্ম গ্ৰহণ কৰিব নোৱাৰি মিছাতে লোকক নিন্দাকেহে কৰিবলৈ শিকিছা, তেনেহলে কি হ'ব ?' এই বুলি শঙ্কৰদেৱে সমুদায় মালা শৰাইত সজাই ব্ৰাহ্মণৰ মাজত স্থাপন কৰিলে। তেওঁলোকে একো উত্তৰ কৰিব নোৱাৰি নেমাতি থাকিল।"

ব্ৰাহ্মণসকল শঙ্কৰদেৱৰ ওচৰত যিমান অপদস্থ হৈছিল, সিমান তেওঁলোকে তেওঁৰ বিপক্ষতাচৰণ কৰিছিল। ব্ৰাহ্মণৰ অসূয়া আৰু "ক্ষণে ৰুষ্ট ক্ষণে তুষ্ট" আহোম ৰজাৰ অন্যায় অত্যাচাৰত ত্যক্ত বিৰক্ত হৈ শঙ্কৰদেৱে তেওঁৰ ভকতসকলেৰে সৈতে আহোমৰ ৰাজ্য উজনি অসম পৰিত্যাগ কৰি কোচ ৰজা নৰনাৰায়ণৰ ৰাজ্য নামনি অসমলৈ ভাটিয়াই গুচি গ'ল। কোচ ৰজাৰ ৰাজ্যতো যে তেওঁ ব্ৰাহ্মণৰ বিদ্বেষৰ হাত সাৰিছিল এনে নহয়, কিন্তু তাতো তেওঁ বাদত সকলো প্ৰকাৰে ব্ৰাহ্মণসকলক পৰাস্ত কৰি শেহত নৰনাৰায়ণ আৰু চিলাৰায়ৰ শ্ৰদ্ধা ভক্তি আকৰ্ষণ কৰি তুলনাত উজনিতকৈ শান্তিৰে আছিল। তথাপি ব্ৰাহ্মণসকলৰ লগণীয়া কথা শুনি প্ৰথমতে এবাৰ নৰনাৰায়ণে শঙ্কৰদেৱক ধৰাই নি দণ্ড কৰিবলৈ মানুহ পঠিয়াইছিল, শঙ্কৰৰ ভক্ত চিলাৰায় দেৱানৰ নিমিত্তেহে ৰজাই সেই কাৰ্য্য কৰিব নোৱাৰিলে ; আৰু তাৰ পিছত ৰজাৰ খং মাৰ গ'লত শঙ্কৰদেৱে ৰজাক সাক্ষাৎ কৰিলত ৰজাই শঙ্কৰৰ পাণ্ডিত্যৰ প্ৰভাৱ দেখি বৰং শঙ্কৰৰ প্ৰতি ভক্তিমান হৈ পৰিছিল।

শঙ্কৰদেৱ বিষ্ণুৰ উপাসক আৰু বিষ্ণুৰ অৱতাৰ শ্ৰীকৃষ্ণৰ উপাসক আছিল। তেওঁ শক্তি পূজা আৰু শক্তি সম্প্ৰদায়ৰ বিৰোধী আছিল। পুৰীৰ দাৰুব্ৰহ্ম জগন্নাথ বিষ্ণুৰ মূৰ্ত্তি আৰু জগন্নাথ পূজা, বিষ্ণুৰ পূজা, এই বিশ্বাসত দৃঢ় হৈ তেওঁ জগন্নাথৰ প্ৰতি ভক্তিমান আছিল। অন্য দেৱী দেৱ পৰিত্যাগ কৰি বিষ্ণুৰহে যে উপাসনা কৰিব লাগে, কাৰণ বিষ্ণুহে মুক্তিৰ গৰাকী, এই বিশ্বাস তেওঁ প্ৰথমবাৰ তীৰ্থ কৰিবলৈ যোৱাৰ আগেই, ব্ৰহ্মপুৰাণ, পদ্মপুৰাণ, গীতা, ৰামায়ণ, মহাভাৰত আদি পঢ়ি, তেওঁৰ মনত অঙ্কুৰিত হয়, আৰু বৃন্দাবনলৈ গৈ বৈষ্ণৱসকলৰ সঙ্গত সি

ডাঙৰ হৈ উঠে। পিছে তেওঁ ঘৰলৈ উভতি অহাৰ কিছু দিনৰ পিছত যেতিয়া তেওঁ শ্ৰীমদ্ভাগৱত গ্ৰন্থ পালে সেই ভাগৱত শাস্ত্ৰ পঢ়ি তেওঁ ভাগৱতী বৈষ্ণৱ ধৰ্মত বিশেষকৈ আস্থাবান হৈ সেই ধৰ্ম প্ৰচাৰ কৰিলে। বিষ্ণুৰ আন অৱতাৰতকৈ কৃষ্ণ ৱতাৰে তেওঁৰ মন বিশেষকৈ মথি পেলাইছিল। হনুমন্তই যেনেকৈ কৃষ্ণক দেখি পিঠি দিছিল, কিন্তু যেতিয়া কৃষ্ণই হনুমন্তক ৰাম মূৰ্ত্তি দেখুৱালে, তেতিয়াহে হনুমন্তই কৃষ্ণক নিজৰ প্ৰভু বুলি প্ৰণিপাত কৰি ভক্তিত গদগদ হ'ল। শঙ্কৰদেৱেও সেইদৰে (যদিও ৰামাৱতাৰলৈ পিঠি দিয়া নাছিল তথাপি) যাইকৈ কৃষ্ণ অৱতাৰক নিজৰ ইষ্ট গুৰু কৰি কৃষ্ণপ্ৰেমত নিমগ্ন হৈ কৃষ্ণভক্তি প্ৰচাৰ কৰিছিল। সেইদেখি শঙ্কৰ প্ৰচাৰিত ধৰ্ম্মক ভাগৱতী ধৰ্ম্ম, আৰু সেই ধৰ্ম্মত কান্তাক "হনুমন্তী কান্তা" বোলে। দৈত্যাৰি ঠাকুৰৰ পুথিত আছে, শঙ্কৰদেৱে তেওঁৰ সঙ্গীসকলেৰে সৈতে দ্বিতীয় বাৰ তীৰ্থ কৰিবলৈ যাওঁতে বাটত এদিন ৰামৰায়ে শঙ্কৰদেৱক ৰামৰ চৰিত্ৰ ক'বলৈ অনুৰোধ কৰাত, শঙ্কৰদেৱে ৰামৰ চৰিত্ৰ কৈ গৈ থাকোঁতে লাহে লাহে অজ্ঞাতসাৰে কৃষ্ণ চৰিত্ৰত পৰিছিল গৈ।

চতুৰ্দ্দশ আধ্যা

শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থ কৰি ঘৰলৈ উভতি আহি নামঘৰ মণিকুট সজাই সত্ৰ পাতি বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰি কিছু দিন থকাৰ পিছত ভাগৱত শাস্ত্ৰ পাই তাৰ সাৰ উদ্ধাৰ কৰি কীৰ্ত্তন পুথি ৰচনা কৰিলে। ইয়াৰ আগেযেও তেওঁ নাম প্ৰসঙ্গ কীৰ্ত্তন কৰিবৰ নিমিত্তে ভটিমা, গীত আদি ৰচনা কৰিছিল। আৰু পদ্মপুৰাণ স্বৰ্গখণ্ডৰ সহস্ৰনাম আদিৰ পদ কৰিছিল; সেইবোৰ পিছত তেওঁ কীৰ্ত্তন পুথিৰ অন্তৰ্গত কৰিলে। কীৰ্ত্তনৰ অনেক বছৰৰ পিছত হে তেওঁ শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধৰ আগছোৱা ভাঙিছিল। তেওঁ পাটবাউসীত থাকোঁতেহে দশম ৰচনা কৰে আৰু সি তেওঁ দ্বিতীয়বাৰ তীৰ্থলৈ যোৱাৰ আগতে। সেইদেখি ১৫৩১ খৃষ্টাব্দত পৰা ১৫৩৩ খৃষ্টাব্দৰ ভিতৰত দশম ৰচিত হৈছিল বুলি ধৰিব পাৰি।

ভাগৱত পোৱাৰ আগেয়েও যে তেওঁ কিছুমান গীত পদ ভটিমা ৰচনা কৰিছিল সেইটো এই কথাৰপৰা জানিব পাৰি যে, জগদীশ মিশ্ৰই তেওঁৰ ভাগৱত পাঠ কৰি শুনোৱাৰ আগেয়ে তেওঁ ব্ৰাহ্মণক, নিজে ৰচনা কৰি কিছুমান গীত তাল ধৰি গাই শুনাইছিল বুলি ৰবদোৱাৰ গুৰু চৰিত্ৰ পুথিত আছে।

ৰবদোৱাৰ গদ্য গুৰুচৰিত্ৰ পুথিত আছে যে শঙ্কৰদেৱে ২৩ বছৰ বয়সতে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈছিল। ২৩ বছৰত তেওঁ তীৰ্থলৈ যোৱাটো বৰ আগ বুলি আমি ভাবিছোঁ; আৰু ভাবিবৰ কাৰণো আছে। শঙ্কৰদেৱে তেওঁৰ ১২ বছৰ বয়সত লেখা পঢ়া আৰম্ভ কৰে, অলপ দিনৰ ভিতৰতে তেওঁ লেখা পঢ়া শেষ কৰে বুলি যদিও চৰিত্ৰ পুথিত আছে, "আচাৰ্য্য সংহতি" পুথিত কিন্তু সেই ডোখৰ কাল দহ বছৰ বুলি লেখিছে—"মহেন্দ্ৰো দ্ৰক্ষতি স্বপ্নে মহাপুৰুষ লক্ষণং। ৰাসৰামেন সাকংহি শঙ্কৰং পাঠয়িস্যতি। মত্বা নাৰায়ণস্যাংশং শ্ৰদ্ধয়া দশ বৎসৰং। কলাপ কাব্য জ্যোতিষং ইতিহাসং শ্ৰুতি স্মৃতিন্। পুৰাণাদিনি শাস্ত্ৰানি গুৰুৰধ্যাপয়িস্যতি॥ পঠিত্বা শাস্ত্ৰ সংঘাশ্চ ৰামৰামেন শঙ্কৰঃ। গুৰবে দক্ষিণাং দত্ত্বা যাস্যতি নিজ মন্দিৰং॥ "দহ বছৰ শঙ্কৰৰ পঢ়াৰ কাল বুলি কোৱা "আচাৰ্য্য সংহতিৰ" কথা আমি ঠিক বুলি ধৰিছোঁ, কাৰণ ই স্বাভাৱিক। সেইদেখি শঙ্কৰদেৱে যেতিয়া পঢ়া সাঙ্গ কৰে তেতিয়া তেওঁৰ বয়স ১২+১০=২২ বছৰ বুলি ধৰিব পাৰি। ধৰা যাওক সেই বছৰতে তেওঁ বিয়া কৰাইছিল আৰু তাৰ এবছৰৰ পিছতে তেওঁৰ কন্যা মনুৰ জন্ম হৈছিল। মনুক বিয়া দি শঙ্কৰ তীৰ্থলৈ গৈছিল। ধৰা, মনুক আঠ বছৰ বয়সত গৌৰী বিয়া দিছিল। সেইদেখি মনুক বিয়া দিয়াৰ পিছতে যদি শঙ্কৰদেৱ তীৰ্থ কৰিবলৈ গৈছিল, তেন্তে তেতিয়া তেওঁৰ বয়স ১২+১০+১+৮=৩১ কি ৩২ বছৰ। এইবাৰ শঙ্কৰদেৱে ১২ বছৰৰ মূৰত তীৰ্থৰ পৰা উভতি আহে। তেনেহ'লে তেতিয়া তেওঁৰ বয়স ৩২+১২=৪৪ বছৰ।

ইয়াৰ পিছতে তেওঁ ভাগৱত শাস্ত্ৰ পায়। সেই দেখি আমি এইটো ধৰি ল'ব পাৰোঁ যে শঙ্কৰদেৱে তেওঁৰ বয়স ৪৪ বছৰৰ পৰা ৫০ বছৰৰ ভিতৰতে কীৰ্ত্তন ৰচনা কৰিছিল। সেইদেখি ১৪৯৩ খৃষ্টাব্দ আৰু ১৪৯৮ খ্ৰীষ্টাব্দ এই পাঁচ বছৰৰ ভিতৰতে কীৰ্ত্তন ৰচিত হৈছিল বুলি ধৰিব পাৰি। এতিয়া যদি আমি শেহৰটো বছৰ ১৪৯৮ খৃষ্টাব্দকে কীৰ্ত্তনৰ জন্ম বছৰ বুলি ধৰো, তেন্তে আমি দেখোঁ যে তেতিয়া চৈতন্য তেৰ চৈধ্য বছৰীয়া ল'ৰা, কাৰণ চৈতন্যৰ জন্ম শক ১৪০৭ (১৪৮৫ খৃষ্টাব্দ)। যদি আমি অনিৰুদ্ধ ৰচিত পুথিৰ শককে ঠিক বুলি ধৰো অৰ্থাৎ ১৩৮৫ (খৃঃ, ১৪৬৩) তেন্তে শঙ্কৰদেৱে তীৰ্থৰ পৰা উভতি অহা কাল ১৪০৬ খৃষ্টাব্দ পাওঁ। তেতিয়া ২১ বছৰীয়া চৈতন্য নদীয়াত টোলৰ পণ্ডিত আৰু তাৰ্কিক নিমাই, ধৰ্ম্মপ্ৰচাৰক চৈতন্য নহয়। বান্ধৱৰ সম্পাদকে নিৰ্ণয় কৰা তাৰিখ ধৰিলেও ১৩৮৩ (১৪৬১ খৃষ্টাব্দ) পোৱা যায়। ১৫০৪ খৃষ্টাব্দত চৈতন্য ১৯ বছৰীয়া। শঙ্কৰৰ ধৰ্ম প্ৰচাৰৰে

চৈতন্যৰ আগেয়ে, আৰু চৈতন্য যে শঙ্কৰৰ গুৰু নহয়, এইয়েই তাৰ থাই প্ৰমাণ। চৈতন্যই ২৪ বছৰ বয়সত হে সন্ন্যাস লৈ ধৰ্ম্ম প্ৰচাৰ আৰম্ভ কৰে ; তাৰ আগেয়ে তেওঁৰ নাম "নিমাই পণ্ডিত" আছিল আৰু তেওঁ টোলৰ ছাত্ৰক ব্যাকৰণ পঢ়াইছিল ; ধৰ্ম্মৰ ধাৰ নাধাৰিছিল ; বৰং অধাৰ্ম্মিকৰ নিচিনা ব্যৱহাৰ হে কৰি ফুৰিছিল। আৰু ১৩।১৪ বছৰীয়া নিমাই নদীয়াত "দুৰ্দ্দান্ত বালক।" অথচ শ্ৰীমদ্ভাগৱত শাস্ত্ৰ পোৱাৰ আগৰেপৰা শঙ্কৰে সত্ৰ পাতি ধৰ্ম্ম প্ৰচাৰ কৰিছিল।

শঙ্কৰদেৱে কীৰ্ত্তন দশম থাইকৈ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰত সহায় কৰিবলৈ ৰচিছিল ; আৰু কলিত মুক্তিৰ উপায় কৃষ্ণৰ কীৰ্ত্তন হৰিনাম ধৰ্ম্ম শ্ৰৱণ কীৰ্ত্তন কৰি যাতে সকলো তৰিব পাৰে তাৰ নিমিত্তে ৰচিছিল। সংস্কৃত শাস্ত্ৰ পঢ়িব নজনা, পঢ়ি অৰ্থ নোপোৱা সৰ্ব্বসাধাৰণ লোকে যাতে সহজে দেশীয় ভাষাত শাস্ত্ৰৰ মৰ্ম্ম পাই মুক্তিৰ অধিকাৰী হ'ব পাৰে তাৰ নিমিত্তে তেওঁ থাইকৈ কীৰ্ত্তন পুথি ৰচনা কৰি সেই ৰচনা খোল তাল লৈ কীৰ্ত্তন কৰি সৰ্ব্বসাধাৰণৰ বস্ত কৰি দিছিল। সংস্কৃতজ্ঞ ব্ৰাহ্মণ পণ্ডিতসকলৰ সাহায্য ব্যতিৰেকে জানিবৰ উপায় নথকা শাস্ত্ৰজ্ঞান সৰ্ব্বসাধাৰণে সহজে যাতে লভিব পাৰে তাৰ নিমিত্তে তেওঁ শ্ৰীমদ্ভাগৱত শাস্ত্ৰ ভাঙি পদ কৰিছিল। এইটোৱেই তেওঁৰ মুখ্য উদ্দেশ্য। অৱশ্যে তেওঁৰ নিচিনা বিদগ্ধ পণ্ডিত জ্ঞানী বিদ্বান প্ৰতিভাশালী লেখকে যে ৰচনা সাহিত্যৰ ফালৰপৰাও শুৱলা আৰু কবিত্বৰ ফালৰ পৰা সৰ্ব্বাঙ্গসুন্দৰ কৰিব তাক কোৱা বাহুল্য মাথোন।

"কলিত সদা বুমুৰে হৰি, হেলাত মৰে আত্মাঘাত কৰি।" "হৰি ভকতক যিজনে হাসে। নুবুজি বেদৰ অৰ্থ বিনাশে॥ জগততে বিষ্ণু আছন্ত ব্যাপি। শুনিয়া তাক নুবুজয় পাপী॥" "স্ত্ৰী মদ্য মাংস সেৱাৰ কথা। কৈ মৰে কৰে জন্মক বৃথা॥" "নুবুজে বেদ অভিপ্ৰায় গুঢ়। কৰ্ম্মক কৰিবে নাজানে মূঢ়॥ মূৰ্খ হয়া বোলে মই পণ্ডিত। নষ্ট কৰি ফুৰে আনৰো চিত্ত॥ নিকাৰে কৰিয়া সকল কৰ্ম্ম। বিষ্ণুত অৰ্পিব সিসব ধৰ্ম্ম॥ শ্ৰৱণ কীৰ্ত্তন তাহাৰ ফল। নিষ্ঠাত নাজানি নিন্দে নিষ্ফল॥"

বাস্তৱিকতে শঙ্কৰে শাস্ত্ৰৰ মৰ্ম্ম আৰু মুক্তিৰ পন্থা সৰ্ব্বসাধাৰণৰ বাজত ইমান সস্তা কৰি দি ব্ৰাহ্মণসকলৰ জীৱিকা আৰু প্ৰতিপত্তিৰ হানি কৰিছিল দেখি হে শঙ্কৰৰ প্ৰতি তেওঁলোকৰ ইমান জাতক্ৰোধ হৈছিল ; আৰু সেইদেখিহে তেওঁলোকে শঙ্কৰৰ আৰু তেওঁৰ ভকত বৈষ্ণৱসকলৰ অনিষ্ট কৰিবলৈ প্ৰাণপণে লাগিছিল।

পঞ্চদশ আধ্যা

শঙ্কৰদেৱে মুঠতে দুবাৰ তীৰ্থলৈ গৈছিল। প্ৰথম বাৰৰ কথা ওপৰত কোৱা হৈছে। দ্বিতীয় বাৰ তেওঁ বুঢ়া বয়সত, মাধৱদেৱ, ৰামৰায় আতা আদি ১০০।১৫০ ভকতেৰে সৈতে তীৰ্থলৈ গৈছিল। এইবাৰ তেওঁ চৈতন্যদেৱক পুৰীত লগ পাই আলাপ আদি কৰিছিল বুলি গুৰু-চৰিত্ৰ পথিত লেখা আছে। আমি পিতৃদেৱতা দীননাথ বেজবৰুৱাৰ মুখে শুনিছিলোঁ যে, পুৰীত জগন্নাথৰ মন্দিৰত এইবাৰ হৰিব্যাস, ৰমানন্দ শঙ্কৰদেৱ, আৰু চৈতন্যদেৱ চাৰিওজনৰ মিলন হৈছিল। জগন্নাথদেৱৰ মন্দিৰৰ ভিতৰত চাৰিওজন বহি ৰাতি আলাপ কৰি আছিল ; কিন্তু ৰাতিপুৱা যেতিয়া মন্দিৰৰ দুৱাৰ মেলি দিলে, তেতিয়া দেখা গ'ল যে কেৱল শঙ্কৰদেৱহে মন্দিৰৰ ভিতৰত বহি আছে, আন তিনিজন নাই। পাণ্ডাসকলে কয় তেওঁলোক জগন্নাথ দেৱৰ শৰীৰত লয় গ'ল আৰু মহাপুৰুষীয়া ভকতসকলে কয় যে শঙ্কৰদেৱৰ শৰীৰত লয় গ'ল। এই প্ৰবাদৰ মূল্য যি হওক, এইটো কিন্তু ঠিক যে পুৰীত চৈতন্যদেৱৰ মৃত্যু কেনেকৈ হ'ল কোনেও ক'ব নোৱাৰে। বহুতে কয় যে তেওঁ তেওঁৰ উন্মাদ অৱস্থাত কেতিয়াবা গৈ সমুদ্ৰত পৰি মৰিল। ওপৰৰ প্ৰবাদৰপৰা এইটো আমি বুজিব পাৰো যে শঙ্কৰদেৱ এইবাৰ জগন্নাথত থাকোতে চৈতন্যদেৱৰ তিৰোভাব হৈছিল। চৈতন্যদেৱ তেওঁৰ শেষ জীৱনৰ ১৮ বছৰ পুৰীত নিগাজীকৈ থকাৰ কথা তেওঁৰ জীৱন চৰিত খোৱত পোৱা যায়। চৈতন্যদেৱে ২৪ বছৰ বয়সত সন্ন্যাস গ্ৰহণ কৰে, ৬ বছৰ দাক্ষিণাত্য, বৃন্দাবন, গৌড় প্ৰভৃতি ঠাইলৈ অহাযোৱা কৰি কটায়, শেষ ১৮ বছৰ পুৰীত কটায়, আৰু ৪৮ বছৰ বয়সত ১৫৩৩ খ্ৰীষ্টাব্দৰ আহাৰ মাহ, শুক্লপক্ষ, সপ্তমী তিথি, ৰবিবাৰে তেওঁৰ মৃত্যু ঘটে। 'অন্ত্যলীলাৰ সূত্ৰ এবে শুন ভক্তগণ॥ বৃন্দাবন হৈতে যদি নীলাচল আইলা। আঠাৰ বৰ্ষ তাঁহা বাস কাঁহা নাহি গৈলা॥—চৈতন্য চৰিতামৃত গ্ৰন্থ। ইয়াৰ দ্বাৰাই আমি পাওঁ যে এইবাৰ শঙ্কৰদেৱ ১৫৩৩ খ্ৰীষ্টাব্দত তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈছিল। তেওঁৰ তেতিয়া বয়স ৮৪ বছৰ।

অনিৰুদ্ধ বিৰচিত পুথিত আছে যে নৰনাৰায়ণ ৰজাই আহোম ৰাজ্য এৰি ভাটীৰ ফাললৈ যায়। দ্বিজভূষণ আৰু দৈত্যাৰিয়েও এই কথাকে কয়। দৈত্যাৰি ঠাকুৰৰ পুথিত আছে—"নৰনাৰায়ণ নামে আছে এক ৰাজা। ......তাৰ ৰাজ্যে যাইবে মন সমস্তে প্ৰজাৰ॥ সেই সময়ত নৰনাৰায়ণ ৰাজা। যাৰিবে আসাৰ ৰাজ্য গৈল সাজি প্ৰজা॥" দ্বিজভূষণে কয় যে নৰনাৰায়ণৰ বাপেক বিশ্বসিংহই প্ৰজাপথাৰ আৰু

ৰাম ধাঁকে আদি কৰি প্ৰধান ভূঞাসকলক আক্ৰমণ কৰিলত তেওঁলোক পলাই গৈ গৌৰেশ্বৰৰ ৰাজ্যত আছিলগৈ। বিশ্বসিংহ মৰাৰ পিছত যেতিয়া নৰনাৰায়ণ ৰজা হ'ল, তেতিয়াহে তেওঁলোক উভতি আহি নৰনাৰায়ণৰ অনুগত হয়হি। নৰনাৰায়ণে সেই ভূঞাসকলৰ সহায়ত আহোম ৰাজ্য আক্ৰমণ কৰে। এই সময়তে শঙ্কৰদেৱে তেওঁৰ শিষ্যসকলেৰে সৈতে বেলগুৰি এৰি ক্ষেত্ৰি মৌজাৰ (আজিকালি সৰুক্ষেত্ৰি মৌজা বোলে) কাপাললৈ আহে। মিঃ গেইটে নৰনাৰায়ণৰ এই আক্ৰমণৰ তাৰিখ ১৪৬৮ শক (১৫৪৬ খৃষ্টাব্দ) বুলি তেওঁৰ বুৰঞ্জীত লেখিছে। শঙ্কৰদেৱৰ জন্মৰ শক ১৩৭১ হ'লে, এই সময়ত অৰ্থাৎ তেওঁ উজনিৰ আহোম-ৰাজ্য· এৰি ভাটীৰ কোচ ৰাজ্যলৈ আহোঁতে তেওঁৰ বয়স ৮৭ বছৰ ; আৰু অনিৰুদ্ধই দিয়া শক ১৩৮৫ সঁচা হ'লে ৮৩ বছৰ হয়। নৰনাৰায়ণে আহোম ৰাজ্য আক্ৰমণৰ তাৰিখ ১৪৬৮ শক শুদ্ধ হ'লে, আৰু শঙ্কৰদেৱে সেই শকতে আহোম ৰাজ্য এৰি কোচ ৰাজ্যলৈ যোৱাটো নিৰ্ভুল হ'লে, তেওঁ পাটবাউসীৰপৰা দ্বিতীয় বাৰ তীৰ্থভ্ৰমণ কৰিবলৈ যাওঁতে নদীয়াত বা পুৰীত (নদীয়াত তো হ'বই নোৱাৰে, কাৰণ চৈতন্য তেওঁৰ জীৱনৰ শেষ ওঠৰ বছৰ পুৰীত নিগাজীকৈ আছিল) চৈতন্যৰ সৈতে সাক্ষাৎ হোৱাটো অসম্ভৱ হয় ; কাৰণ চৈতন্যৰ মৃত্যু ১৪৫৫ শকত হৈছিল। অৱশ্যে মিষ্টৰ গেইটে দিয়া এই তাৰিখ ভুল যদি ক'ব নোৱাৰোঁ। কিন্তু এক পক্ষৰ ভুল নিশ্চয়।

ৰবদোৱাৰ পুথিত কিম্বা শঙ্কৰদেৱৰ আন জীৱনীত, অথবা মহাপুৰুষীয়া সত্ৰত চৰিত্ৰ তোলোঁতে, নৰনাৰায়ণে আহোমৰ দেশ আক্ৰমণ কৰা বছৰত, শঙ্কৰদেৱে আহোম ৰাজ্য এৰি ভাটীলৈ যোৱাৰ কথা নকয়। আহোম ৰজাৰ দৌৰাত্ম্যত বিৰক্ত হৈ, আৰু ধাইকৈ জোৰাৰেক হৰিক আহোমে কাটিলত শঙ্কৰদেৱে মনত যৎপৰোনাস্তি শোক পাই আহোম-ৰাজ্য এৰিলে ; আৰু সম্ভৱতঃ নৰনাৰায়ণে আহোম-ৰাজ্য আক্ৰমণ কৰা বছৰৰ আগেয়েই। শঙ্কৰদেৱে দ্বিতীয় বাৰ তীৰ্থলৈ যাওঁতে চৈতন্যক লগ পাইছিল, এই কথা সকলো চৰিত্ৰ-পুথিত আছে, আৰু সন্ত সাধুৰ মুখত আছে ; আৰু এই লগপোৱা যে পুৰীত হৈছিল তাত ভুল নাই, কাৰণ চৈতন্যদেৱে তেওঁৰ জীৱনৰ শেষ ১৮ বছৰ পুৰীৰপৰা কলৈকো লৰচৰ কৰা নাছিল। শঙ্কৰদেৱে তেওঁৰ জীৱনৰ ৮৩।৮৪ বছৰত (১৪৫৫ শক) চৈতন্যক পুৰীত লগ পোৱা, আৰু পুৰীত চৈতন্য শঙ্কৰদেৱৰ গাত লয় যোৱা বুলি কোৱা মহাপুৰুষীয়া প্ৰবাদ, যাৰ আচল মানে শঙ্কৰদেৱ পুৰীত থাকোঁতেই চৈতন্যৰ তিৰোভাৱ ঘটা কথাত অবিশ্বাস কৰিবৰ আৱশ্যক নাই, কাৰণ, সি বৰ প্ৰচলিত। আমি মাত্ৰ নৰনাৰায়ণৰ আক্ৰমণৰ কেইবা বছৰৰ আগেয়ে শঙ্কৰে আহোম ৰাজ্য এৰি যোৱা বুলি কওঁ। আৰু যদিহে আমাৰ এই অনুমান ঠিক নহয় তেন্তে মিষ্টৰ গেইটে দিয়া নৰনাৰায়ণৰ আক্ৰমণৰ শক যে নিৰ্ভুল এই কথাত আমাৰ বৰ সন্দেহ হয়। এটা কথা আমি এই খিনিতে কওঁ, যে শঙ্কৰদেৱৰ বেলগুৰি এৰি ভটিয়াই যোৱাৰ থিটো তাৰিখ ৰবদোৱাৰ পুথিৰ পৰা সংগ্ৰহ কৰি পিচত দিছোঁ, সেইটোতও শঙ্কৰদেৱৰ তেতিয়া ৮২।৮৩ বছৰ হোৱাটো ওলাইছে।

শঙ্কৰদেৱে দুবাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ যোৱা কথা শঙ্কৰদেৱৰ এটাই কেইখন চৰিত্ৰ পুথিতে আছে ; আৰু সন্ত সাধুসকলে মুখেৰে তোলা চৰিত্ৰতো সেই কথা কয় ; গতিকে সি প্ৰমাণিত বুলি ধৰিব লাগিব। শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ যোৱাৰ আগেয়ে যদিও তেওঁ এজন আহি গৃহস্থী আহি ভূঞা বিষয়ভোগী ডাঙৰ লোক আছিল, তথাপি তেওঁ শাস্ত্ৰ চৰ্চ্চা, জ্ঞান চৰ্চ্চা আৰু ধৰ্ম্মত অনুৰক্তি আদিতো ভূঞাসকলৰ ভিতৰত আদৰ্শ পুৰুষ আছিল। তীৰ্থ ভ্ৰমণৰ পিছত, আগৰেপৰা তেওঁৰ ধৰ্ম্মপ্ৰৱণ মন আৰু বেছিকৈ ধৰ্ম্মপ্ৰৱণ হ'ল, আৰু আগৰেপৰা পৰৰ হিত চিন্তাত মন বিশেষকৈ আৰু সেই কাৰ্য্যত ব্ৰতী হল। পৰকালৰ সম্বল ধৰ্ম্মচিন্তা হিন্দুৰ প্ৰধান চিন্তা। নিজেও ঈশ্বৰচিন্তা, ঈশ্বৰ উপাসনাৰ দ্বাৰাই সংসাৰ-সাগৰ পাৰ হম, আৰু লোককো তৰিবৰ উপায় দিম, এই ভাবেৰে অনুপ্ৰাণিত হৈ শঙ্কৰদেৱে ধৰ্ম্মপ্ৰচাৰত মনপ্ৰাণ সমৰ্পণ কৰিছিল। তেওঁ শিৰোমণি ভূঞা কুসুম্বৰৰ বৰ পুতেক, নিজেও শিৰোমণি ভূঞা। তেওঁৰ বিষয়বাসনা দাস-দাসী ঐশ্বৰ্য্য-বিভূতি ৰজাৰ নিচিনা ; ক্ষমতা অধিকাৰতো তেওঁ ৰজাৰ নিচিনা। এই সকলোবোৰ তেওঁ তৃণবৎ পৰিত্যাগ কৰি, ধৰ্ম্মচৰ্চ্চা আৰু ঈশ্বৰ চিন্তাত নিজৰ মন সমৰ্পণ কৰি দুধীয়া শ্ৰীৰাম, বলোৰাম, সৰ্ব্বজয় আদিৰে সৈতে গীত পদ ভটিমা চপয় গাই হৰি-কীৰ্ত্তন কৰি কাল কটাই নিজক ধন্য মানিছিল।

তীৰ্থপৰ্য্যটন কৰিবলৈ যোৱাৰ আগেয়ে যদিও তেওঁ বিষ্ণুৰ অৱতাৰ ৰাম, কৃষ্ণ, জগন্নাথ আদিৰ উপাসক আছিল, তীৰ্থৰ পৰা উভতি আহি তেওঁ ধাইকৈ কৃষ্ণভক্তি প্ৰচাৰত মনোনিবেশ কৰিছিল। এই বাৰতে (প্ৰথম বাৰ) তেওঁ ওপৰাওপৰিকৈ দুবাৰ বৃন্দাবনলৈ গৈ কৃষ্ণ ভক্তিত অত্যন্ত অনুৰক্ত হৈ পৰিছিল ; আৰু বৃন্দাবনলৈ যোৱাৰ মানেও সিয়েই। পিচত ভাগৱত শাস্ত্ৰবিহিত ভাগৱতী ধৰ্ম্ম, একমাত্ৰ কৃষ্ণৰ পূজা, সেৱা, ভক্তি, অৰ্চ্চনা প্ৰচাৰ কৰিলে। "শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, বিষ্ণুৰ অৰ্চ্চন, পদসেৱন দাস্য, সখিত্ব, বন্দন বিষ্ণুত কৰিব দেহা অৰ্পণ ॥"

এই নৱবিধ ভাগৱতী ভক্তি প্ৰবৰ্ত্তন কৰিলে। ভূঞাসকলৰ ভিতৰত শক্তিপূজা প্ৰচলিত আছিল; শঙ্কৰদেৱে কিন্তু তীৰ্থলৈ যোৱাৰ আগৰেপৰা, আৰু পিছতো নিশ্চয়কৈয়ে, সেই পূজাৰ বিৰোধী আছিল। গীত, পদ, ভটিমা, চপয় আদি গাই, খোল তাল লৈ হৰিনাম কীৰ্ত্তন কৰি ধৰ্ম্মপ্ৰচাৰ কৰিবৰ প্ৰণালী নিশ্চয় তেওঁ বৃন্দাবন, মথুৰা, উড়িষ্যা, বাৰাণসীৰপৰা শিকি আহি আসামত চলাইছিল। কীৰ্ত্তনত আছে :—"ওৰেষা বাৰাণসী ঠায়ে ঠায়ে। কবিৰ গীত শিষ্টে সবে গায়ে ॥ তথাপিতো আঁখি কুটিল তাৰ। (অৰ্থাৎ শঙ্কৰে বচনা কৰা গীত পদ আদি নিন্দা কৰোঁতা অসমীয়া বামুণসকলৰ) হৰি কীৰ্ত্তনক কৰে ধিক্কাৰ ॥" এই খিনিতে এটা কথা মন কৰিব লগীয়া যে ওপৰৰ এই কেইফাকি পদত বঙ্গদেশৰ নাম নাই। খোল তাল বজাই সংকীৰ্ত্তন কৰা প্ৰণালীও যে বঙ্গদেশে আন দেশৰপৰা ধাৰ-ক'ৰা সেইটোও ইয়াৰপৰা বুজিব পাৰি। সংস্কৃত নাটৰ আহিত নাট কৰি ভাৱনা কৰা প্ৰণালীৰ (idea) ভাৱও যে পশ্চিমৰ ৰামলীলা আদি ভাওনাৰপৰা তেওঁ পোৱা সেইটোও বুজিব পাৰি। বঙ্গদেশত তেনে ভাওনাৰ প্ৰণালী যে নাছিল সেইটোও চৈতন্যৰ ধৰ্ম্মপ্ৰচাৰৰ ইতিহাসৰপৰাই বুজিব পাৰি। নামঘৰ মণিকূট সাজি সত্ৰ পাতি নাম কীৰ্ত্তন কৰি থাকি ধৰ্ম্ম প্ৰচাৰ কৰাটোও তেওঁ পশ্চিমত আৰু বেহাৰত আগৰ কালত প্ৰচলিত বৌদ্ধবিহাৰৰপৰা পোৱাটো অনুমান হয়। চৈতন্যই তেনেকৈ সত্ৰ পাতি ধৰ্ম্ম প্ৰচাৰ কৰা নাছিল। শঙ্কৰদেৱৰ ধৰ্ম্ম প্ৰচাৰৰ প্ৰণালীৰ এনেবোৰ বিশেষত্বৰপৰা স্পষ্টকৈ দেখা যায় যে তেওঁ সেই বিষয়ত বঙ্গদেশ আৰু চৈতন্যৰ ওচৰত সমূলি ধৰুৱা নাছিল। ৰামৰায়কে আদি কৰি জ্ঞাতি আৰু ভকতসকলৰ অনুৰোধত তেওঁ প্ৰথমতে চিহ্নযাত্ৰা ভাৱনা পাতি সাত দিন সাত ৰাতি ভাৱনা কৰে। এই ভাৱনাৰ নিমিত্তে বৈকুণ্ঠ গোলোকধামৰ চিত্ৰপট শঙ্কৰদেৱে নিজ হাতে আঁকিছিল। আসামত খোলৰ ব্যৱহাৰ নাছিল। শঙ্কৰদেৱে কপিলীনৈৰ মুখৰ কুমাৰক মাতি আনি নমুনা দেখুৱাই প্ৰথমতে তাৰ হতুৱাই খোল গঢ়ালে; শালমৰা গাৱঁৰ মুচীয়াৰ মাতি আনি খোল ছিয়ালে; খোলৰ মিঠা মাত উলিয়াবৰ নিমিত্তে কৰ্কৰা ভাত আৰু লোৰ গুৰিৰে তাৰ মুখত কেনেকৈ খুণ দিব লাগে সেইটো দেখুৱাই দিলে; মন্দিৰা, খুটিতাল, ৰবতাল, ভোৰতাল আদি বহুবিধ তাল প্ৰস্তুত কৰালে; সভাৰ মজাই সাত বৈকুণ্ঠৰ সাতোটা থাক কৰি, অৰ্থাৎ "চৈত" কৰি, যাত্ৰাৰ কাৰ্য্য আৰম্ভ কৰিলে; নিজে খোল লৈ বায়ন হৈ ভায়েক মনগঞ্জন গিৰীক গায়ন পাতি সৰ্ব্বজয় আৰু ৰমানিধৰা পৰমানন্দক নতুৱা পাতি যাত্ৰা কৰিলে; সভা শোভা কৰিবৰ নিমিত্তে মতা, চক্ৰবান, ফুলজালি প্ৰভৃতি নিয়মিত জোখত প্ৰস্তুত কৰালে; প্ৰথমতে ন ধেমালি, তাৰ পিছত নট-ধেমালি, ৰাগ-ধেমালি, সৰু-ধেমালি, বৰ ধেমালি আদি বাজনা বজাই শেষত যোৰা-ধেমালি গাই বজাই বাজনা শেষ কৰিলে। শঙ্কৰদেৱে নিজে বায়ুমণ্ডল ৰাগ দিছিল।

এইবোৰৰ পৰা ফট্‌ফটীয়াকৈ দেখিবলৈ পোৱা যায় যে শঙ্কৰদেৱৰ প্ৰতিভা কেনে সৰ্ব্বতোমুখী আছিল। মাধৱদেৱে যে "জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ" বুলি তেওঁক "গুণমালা"ত বৰ্ণনা কৰিছিল, সেইটো এক তিল মানো অতিৰঞ্জিত নহয়। এক শঙ্কৰদেৱেই আসামক কত ৰকমে ঐশ্বৰ্য্যশালী কৰি অলঙ্কৃত কৰিলে, এই কথা ভাবিলে অবাক হ'ব লাগে। ধন্য আসাম জননী, তুমি শঙ্কৰদেৱক গৰ্ভত ঠাই দি নিজেও ধন্য হ'লা।

শঙ্কৰদেৱে তীৰ্থ ভ্ৰমণ কৰি থাকোতে জগন্নাথ, মথুৰা, বৃন্দাবন, পুষ্কৰ আদি তীৰ্থতো কোনোক কোনোক শৰণ দি যে শিষ্য কৰিছিল, সেই কথা তেওঁৰ জীৱন চৰিত্ৰ লেখক সাৰ্ব্বভৌম ভট্টাচাৰ্য্যই লেখিছে,—"বৃন্দাবন নামে এক মহন্ত আছিল। শঙ্কৰক লাগ পাই তেহন্তে ভজিল ॥ ৰামকান্ত নামে শিষ্য মথুৰা পুৰত। শঙ্কৰক গুৰু মানি শৰণ লৈলন্ত ॥ ৰাধা নামে এক সন্ত আছিল গোকুলে। শঙ্কৰক গুৰু মানি সিয়ো ভক্ত ভৈলে ॥ সন্ন্যাসী ত্ৰিজটা নামে ব্ৰজত আছিল। শঙ্কৰক গুৰু মানি হৰিক ভজিল ॥ গোপীনাথ নামে সন্ত পুষ্কৰ তীৰ্থত। সিজনেও শঙ্কৰক গুৰু মানিলন্ত ॥ জগন্নাথ পাণ্ডা সুত বিষ্ণুদত্ত নাম। কৃষ্ণ যদুনাথ কাম এহি দশজন ॥ শঙ্কৰক গুৰু মানি লৈলন্ত শৰণ ॥" শঙ্কৰদেৱে নিশ্চয় প্ৰথম বাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ যাওঁতে গোকুল, ব্ৰজ আৰু পুষ্কৰত এইবোৰ শিষ্য কৰিছিল। কাৰণ, দ্বিতীয়বাৰ তীৰ্থলৈ যাওঁতে সেইবোৰ ঠাইলৈ তেওঁৰ যোৱা নহ'ল। ইয়াৰ দ্বাৰাই দেখা যায় যে শঙ্কৰদেৱৰ ধৰ্মপ্ৰচাৰ কাৰ্য্য বিদেশতে প্ৰথমে আৰম্ভ হয়।

আসাম কামৰূপতো শঙ্কৰৰ ডাঙৰ ডাঙৰ ব্ৰাহ্মণ আৰু গ্ৰহবিপ্ৰ শিষ্য কিছুমানৰ লেখ সাৰ্ব্বভৌম ভট্টাচাৰ্য্যই দিছে—"তৰ্কভানু বিদ্যাপতি ভট্টাচাৰ্য্য বৰ। ৰাঘৱ আচাৰ্য্য বিভূষণ যে ভূধৰ। কবিৰত্ন বিদ্যাৰত্ন উমা বাসুদেৱ। সৰস্বতী শ্ৰীকান্ত গজেন্দ্ৰ মহাদেৱ ॥ ৰামচন্দ্ৰ কৃষ্ণচন্দ্ৰ বিষ্ণু নাৰায়ণ। গোপাল জৈমিনীদেৱ দেৱ জনাৰ্দ্দন ॥ ভাবালন্তে আপোন কুশল চিন্তা কৰি। শঙ্কৰক গুৰু মানি ভজিলন্ত হৰি ॥ জ্যোতিষ প্ৰধান দ্বিজ কাম নৰোত্তম। চন্দ্ৰধৰ সূৰ্য্য শৰ্ম্মা নাম.....সৰ্ব্বকালে গ্ৰহ-উপাসক সৰ্ব্বজন শঙ্কৰক গুৰু মানি লৈলন্ত শৰণ ॥"

পদ্মপুৰাণৰ স্বৰ্গখণ্ডৰ আৰম্ভণতে সাৰ্বভৌম ভট্টাচাৰ্য্যই বন্দনা লেখিছে—"জয় নমো নিত্য ব্ৰহ্ম কৃষ্ণ ইষ্ট দেৱ। তোমাৰ চৰণে কৰোঁ। লক্ষ কোটি সেৱ ॥ শ্ৰীমন্ত শঙ্কৰ সন্ত মূৰ্ত্তি অৱতাৰ। তোমাৰ চৰণে কৰোঁ। কোটি নমস্কাৰ ॥ নমো মৎস্য কূৰ্ম আদি অৱতাৰ যত। প্ৰণামো মাধৱ আদি সমস্ত ভকত ॥ অনন্ত কন্দলি আদি ভক্ত বিপ্ৰগণ। প্ৰণাম কৰোঁহো পৰি সবাৰো চৰণ ॥"

অনন্ত কন্দলি যে শঙ্কৰদেৱৰ ভক্ত শিষ্য আছিল, তেওঁৰ সমসাময়িক সাৰ্ব্বভৌম ভট্টাচাৰ্য্যৰ এই পদ পঢ়িলে আৰু সন্দেহ নাথাকে;

শঙ্কৰদেৱে দ্বিতীয় বাৰ তীৰ্থভ্ৰমণ কৰিবলৈ যাওঁতে যে চৈতন্যক পুৰীত লগ পাইছিল, এই কথা আমি ওপৰত কৈ আহিছোঁ। এইবাৰ শঙ্কৰদেৱ পুৰীত থাকোঁতেই চৈতন্যদেৱৰ মৃত্যু বা তিৰোভাৱ হোৱা কথাও আমি আগত কৈ আহিছোঁ। শঙ্কৰদেৱৰে সৈতে চৈতন্যদেৱৰ যি কথা বতৰা হৈছিল, তাৰ বিৱৰণ ৰামচৰণৰ গুৰু-চৰিত পুথিত এই দৰে আছে—

"জগন্নাথ প্ৰভুৰ নাট মন্দিৰত নটীৰ নাচ হোৱাত চৈতন্য গোসাঁই আৰু শঙ্কৰ গোসাঁই দুইজন বহি আমোদ দেখিছে। অন্নপূৰ্ণাৰ মন্দিৰত ভোগ সিদ্ধ হ'ব লাগিছে। ভোগ এটি উফৰি পাওাৰ হাতত পৰাত প্ৰসাদ পেলালেও দোষ, খৱলৈকো নেপায়, খালেও অৱশেষ হয়, ভাবি চিন্তি উপায় নাপাই প্ৰসাদটি খালে। সেই আটিকা অৱশেষ বুলি মহা-প্ৰভুত নলগাই আন এটি আটিকা চৰাই প্ৰসাদ লগাইছে। প্ৰভুৰে ভকতৰ অৱশেষটি গ্ৰহণ কৰিলে। ইফালে সমাজত নটীৰ লহঙ্গা খহিছে। ভিতৰৰ ঘটনাৰ বিষয় জ্ঞাত হৈ শঙ্কৰদেৱে ঈষৎ হাস্য কৰিছে। তাকে দেখি শ্ৰীকৃষ্ণচৈতন্য প্ৰভুৱে শঙ্কৰদেৱক কৈছে, সামান্য কথাত হাস্য কৰা ভাল নহয়। গুৰুজনে ক'লে, মই সমাজৰ কথাত হঁহা নাই, ভিতৰত বুজ লওক। এই কথা শুনি অন্নপূৰ্ণাৰ মন্দিৰত খবৰ কৰি সমস্ত ঘটনা জানিব পাৰি শঙ্কৰদেৱৰ শক্তি দেখি বিস্ময় মানিছে। এই প্ৰকাৰে ঈশ্বৰ পুৰুষ দুইজনা সদালাপ কৰি কিছুদিন আছে, ক্ষেত্ৰস্থানৰপৰা বৃন্দা-বনলৈ যাবৰ ইচ্ছা হোৱাত কোনো এদিন ভকতসকল সহিতে চৈতন্য গোসাঁইৰ মন্দিৰলৈ যাবলৈ সাজু হৈ মাধৱদেৱত কৈছে। ৰবাৰ পো, ফকৰা দিবলৈ প্ৰস্তুত হ'বা। মাধৱে গুৰুদেৱত জনাইছে, আপোনাৰ গুৰুৰ কৃপা থাকিলে কোনো কথালৈ ভয় নকৰে, তেওঁলোকে ফকৰা দিয়ে যদি তোমাৰ দাসৰ মুখৰপৰাও বাহিৰ হ'ব। চৈতন্যদেৱৰ নিত্যানন্দ, শঙ্কৰদেৱৰ বলোবাৰ আলধৰা। নিতাইয়ে ফকৰা দিছে,—'কোন দেশৰ বৈৰাগী কোন দেশে যায়। কোন মুখে ভিক্ষা মাগি কোন মুখে খায়?' বলোবায়ে উত্তৰ দিছে, 'পূব দেশৰ বৈৰাগী পশ্চিম দেশে যায়। গুৰুৰ মুখে ভিক্ষা মাগি নিজ মুখে খায় ॥" আকৌ নিত্যানন্দে কৈছে, 'কোন দেশৰ বৈৰাগী, কি বুলি কাঢ়িছে ৰাও। সকলো জগৎ হৰিময় দেখো ক'ত দি আহিলা পাও?' বলোবায়ে উত্তৰ দিছে,—'পূব দেশৰ বৈৰাগী ৰাম বুলি কাঢ়িছে ৰাও। হৃদয় মাজে ঈশ্বৰ কৃষ্ণ আপুনি বিচাৰি চাওঁ ॥' এইদৰে ফকৰা শেষ হ'লত গুৰুঈশ্বৰ চৈতন্যদেৱৰ মন্দিৰত প্ৰৱেশ হৈছে। আসন দি সম্ভাষণ কৰি সিদ্ধ অন্ন সন্মুখত দিছেহি। শঙ্কদেৱে পক্কান্ন দেখি কেচা হওক বুলি কোৱাত সমস্ত অন্ন ব্যঞ্জন কেচা হৈছে। গৌৰাঙ্গ প্ৰভুৱে দেখি শঙ্কৰদেৱক ঈশ্বৰ-শক্তি বুলি প্ৰশংসা কৰি অতি সমাদৰে বিদায় দিছে।" ওপৰত দিয়া এই কথা আমি পিতৃদেৱতাৰ মুখেও শুনিছিলোঁ। এই কথাৰ পৰা শঙ্কৰদেৱ আৰু চৈতন্যদেৱৰ ভিতৰত গুৰু শিষ্য বা বহুত দিনৰ আগৰে পৰা চিনাকী থকা এনে কোনো ভাৱৰ আভাষ পোৱা নাযায়; বৰং দুইজন স্বাধীন ভাৱৰ ধৰ্মপ্ৰচাৰক এনেটোহে বুজা যায়। দৈত্যাৰি ঠাকুৰে কৰা চৰিত্ৰ পথিত আছে যে শঙ্কৰদেৱে দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ যাওঁতে বাটত চৈতন্যৰ মঠ পাইছিল। শঙ্কৰ অহা শুনি চৈতন্যদেৱ মঠৰ ভিতৰৰ পৰা ওলাই আহি শঙ্কৰৰ ফালে চাই থাকি তেওঁৰ চকুৰ লো বৈ গৈছিল; কিন্তু দুইৰো ভিতৰত কোনো কথা নহ'ল,—প্ৰভাতো উঠিয়া নিত্যে গমন কৰন্ত। কৃষ্ণচৈতন্যৰ গৈয়া থানক পাইলন্ত ॥ পথত চলন্তে শিক্ষা দিলন্ত লোকক। নকৰিবা কেহোঁ নমস্কাৰ চৈতন্যক ॥ যিটোজনে নমস্কাৰ কৰে চৈতন্যক। উলটায়া তেহোঁ প্ৰণামন্ত সিজনক ॥ মনে নমস্কাৰ তাঙ্ক কৰিবা এতেকে। এহি বুলি শিখাইলন্ত লোক সমস্তকে ॥ কৃষ্ণচৈতন্য আছা মঠৰ ভিতৰ। ব্ৰহ্মচাৰী কহিলন্ত আসিছা শঙ্কৰ ॥ শঙ্কৰৰ নাম শুনি কৃষ্ণচৈতন্যৰ। মিলিল আনন্দ বাজ ভৈলন্ত মঠৰ ॥ দুৱাৰ মুখত ৰহি আছিলন্ত চাই। দুয়ো নয়নৰ নীৰ ধাৰে বহি যাই ॥ শঙ্কৰৰো নয়নৰ নীৰ বহে ধাৰে। পথহন্তে নিৰখিয়া আছন্ত সাদৰে ॥ কতোক্ষণে দুইকো দুই চাই প্ৰেম মনে। পশিলা মঠত গৈয়া শ্ৰীকৃষ্ণচৈতন্যে ॥ নামাতিলা দুইকো দুই নিদিলা উত্তৰ। পৰম হৰিষ মনে চলিলা শঙ্কৰ ॥"

দৈত্যাৰি ঠাকুৰ ৰচিত সংক্ষেপ শঙ্কৰ-চৰিত্ৰ পুথিৰ এই কথাৰে সৈতে ওপৰৰ কথাৰ অলপ অমিল হয়। ওপৰৰ কথাত শঙ্কৰেৰে সৈতে পুৰীত চৈতন্যৰ আলাপ পৰিচয় আদি হোৱাৰ কথা ভালকৈয়ে লেখা

আছে ; ইয়াত কৈছে যে, দূৰৰ পৰা দেখা হৈছিল, আলাপ নহ'ল। দৈত্যাৰি ঠাকুৰৰ পুথিত এইখাৰৰ আৰু প্ৰথম বাৰৰো শঙ্কৰদেৱৰ পুৰীত থকাৰ কথাৰ ভালকৈ বৰ্ণনা নাই, মাথোন কিঞ্চিৎ আভাষ পোৱা যায়। এই নিমিত্তে অতি সংক্ষেপ এই পুথিৰ কথা এৰি বৰদোৱাৰ পুথিৰ কথা মানি ল'বৰ পক্ষে আমি কোনো আপত্তি নেদেখোঁ। বিশেষ, বৰপেটা কমলাবাৰী সত্ৰাদিত সন্তসাধুৰ মুখে বৰদোৱাৰ চৰিত্ৰত পোৱা কথাকে শুনিবলৈ পোৱা যায়। দৈত্যাৰিয়ে লেখা, শঙ্কৰে বাটত চৈতন্যৰ মঠ পোৱা কথা মানিবলৈ গ'লে আৰু অলপ লেঠা লাগে। চৈতন্যদেৱ তেওঁৰ জীৱনৰ শেষৰ ওঠৰ বছৰ পুৰীত নিগাজীকৈ থকাৰ কথা চৈতন্য-চৰিত্ৰ পুথিত আছে, সেই কথা আমি ওপৰত কৈ আহিছোঁ। তেন্তে পুৰীৰ পৰা আহোঁতে বা পুৰীলৈ যাওঁতে বাটত চৈতন্য আৰু তেওঁৰ মঠ ক'ৰ পৰা ওলাল ? এই মঠ যদি পুৰীৰ ভিতৰতে, তেন্তে এই আপোঁৰাহ মাৰিব পাৰি ; কিন্তু তেওঁৰ লেখাৰ পৰা সেইটো স্পষ্ট নহয়, এবং বাটত কৰবাত যে বুলি কোৱা যেন লাগে। সেইদেখি দৈত্যাৰি ঠাকুৰৰ পুথিৰ কথাতকৈ আমি বৰদোৱাৰ পুথিৰ কথাত বেছি আস্থা স্থাপন কৰিবলৈ বাধ্য হলোঁ। সেইটো যি হওক, সকলো জনিলৰ ভিতৰত এইটো মিল পোৱা যায়, যে কোনো পুথিৰ পৰা চৈতন্য আৰু শঙ্কৰৰ ভিতৰত গুৰু শিষ্যৰ সম্বন্ধ বা একজনৰ ধৰ্ম্মপ্ৰণালী আনজনে অৱলম্বন কৰাৰ কোনো কথা পোৱা নাযায় ; গতিকে আমি দুয়োকো স্বকীয় মতৰ ধৰ্ম্ম প্ৰচাৰক বুলি স্বীকাৰ কৰিবলৈ বাধ্য।

চৈতন্যদেৱৰ জীৱনচৰিত গ্ৰন্থত শঙ্কৰদেৱৰ নাম উল্লেখ কৰা নাই। আজিলৈকে আমি চৈতন্য সম্পৰ্কীয় যতবোৰ পুথি দেখিছো, কতো শঙ্কৰদেৱৰ নাম বা কোনো বিষয় উল্লেখ কৰা দেখা নাই। চৈতন্যচৰিতামৃত গ্ৰন্থত কৃষ্ণদাস কবিৰাজে তন্ন তন্নকৈ চৈতন্যৰ ভক্তসকলৰ নাম দিছে ; সৰু, বৰ, বামুণ, কায়স্থ, ম্লেচ্ছ, নীহ-কুলীয়া, সকলোবোৰৰ উল্লেখ কৰিছে ; কিন্তু শঙ্কৰদেৱৰ কোনো উল্লেখ নাই। তাত ভক্তিকল্পতৰু বৰ্ণনাত চৈতন্য স্কন্ধৰ অনেক শাখা প্ৰশাখা ভক্তৰ নাম পোৱা যায়। ঠায়ে ঠায়ে শঙ্কৰ, দামোদৰ, মাধৱ নামৰ ভক্তৰো উল্লেখ দেখা যায়, কিন্তু সেই সকল যে আমাৰ আসামৰ শঙ্কৰ, মাধৱ আৰু দামোদৰ নহয় তাৰ এশাৰী পঢ়িলেই বুজিব পাৰি ॥

যেনে, "দামোদৰ পণ্ডিত শাখা গাঢ় প্ৰেমচন্দ্ৰ। প্ৰভুৰ উপৰে যেঁহো কৰে বাক্যদণ্ড ॥ দণ্ড কথা কহিব আগে বিস্তাৰ কৰিয়া। দণ্ডে তুষ্ট তাঁৰে প্ৰভু পঠাইলা নদীয়া ॥ তাহাৰ অনুজ শাখা শঙ্কৰ পণ্ডিত। প্ৰভুৰ পাদোপধান যাৰ নাম বিদিত ॥" "কুলীন গ্ৰামের সত্যদাস ৰামানন্দ। যদুনাথ পৰুষোত্তম শঙ্কৰ বিদ্যানন্দ ॥" "শঙ্কৰাৰণ্য-আচাৰ্য্য বৃক্ষেৰ এক শাখা। মুকুন্দ কাশীনাথ ৰুদ্ৰ উপশাখা লেখা ॥" "গোবিন্দ মাধৱ বাসুদেৱ তিন ভাই। যাঁসভাৰ কীৰ্ত্তনে নাচে চৈতন্য নিতাই ॥" "পৰমানন্দ পুৰী আৰ স্বৰূপ দামোদৰ। গদাধৰ জগদানন্দ শঙ্কৰ বক্ৰেশ্বৰ ॥" "পীতাম্বৰ মাধবাচাৰ্য্য দাস দামোদৰ। শঙ্কৰ মুকুন্দ জ্ঞানদাস মনোহৰ ॥" আন কি তিৰুতা মানুহ ভকতনীবো নাম আছে— "মাধবীদেৱী শিখি-মাহিতীৰ ভগিনী। শ্ৰীৰাধাৰ দাসী মধ্যে যাৰ নাম গণি ॥" "তাৰ ভগিনী দময়ন্তী প্ৰভুৰ প্ৰিয় দাসী। প্ৰভুৰ ভোগৰ সামগ্ৰী কৰে ৰাবনাসি ॥" অথচ আমাৰ আসামৰ মহাপুৰুষ অদ্বিতীয় ধাৰ্ম্মিক, বিদ্বান, ধনী, মানী, শিৰোমণি ভূঞা শঙ্কৰদেৱৰ যে উল্লেখ নাই। এইটো শঙ্কৰদেৱ চৈতন্যদেৱৰ শিষ্য বুলি মানিতে উলিয়া ভেটি নথকা কথাৰ বিপক্ষে যোৱা এটা ডাঙৰ কথা নহয়নে ?

শঙ্কৰদেৱে চৈতন্যৰ পৰা অনুপো সহায় পোৱাৰ প্ৰমাণ নাই ; বৰং নোপোৱাটোৰহে আছে। চৈতন্যৰ পৰা কিবা সহায় পোৱাৰ কথা কৈ শঙ্কৰদেৱে একো লেখি থৈ যোৱা নাই। তেওঁৰ ৰচিত কোনো পুথিত চৈতন্যৰ নাম নাই। শঙ্কৰদেৱৰ সমস্ত লিখা অসমীয়া কোনো পুথিতে চৈতন্যৰ উল্লেখ নাই। শঙ্কৰদেৱৰ পিছত ৰচিত তেওঁৰ জীৱন-চৰিত্ৰ পুথিত যি উল্লেখ আছে তাৰ বিষয়ে আমি ওপৰত কৈছোঁ। তাৰ বাহিৰেও য'ত ত'ত অলপ অচৰপ উল্লেখ আছে, তাকো তলত দিলোঁ।

আহোম ৰজাৰ খাৰে বাৰে অন্যায় অত্যাচাৰ ব্যৱহাৰত বিৰক্ত হৈ আহোমৰ ৰাজ্য এৰি ভটীয়াই গৈ যেতিয়া শঙ্কৰদেৱে পাটবাউসীৰ চুণপোৰাত সত্ৰ পাতি আছিল, ভৱানন্দ নামে ধনী সাউদ এজনক তেওঁ তাতে ভকত কৰে। সেই সময়ত সেই ফালে চৈতন্য প্ৰচাৰিত ধৰ্ম্মৰ দুই চালিৰে ধৰা আভাষ পোৱা যায়। ভৱানন্দইও সেই পন্থীয়া লোকৰ পৰা "বোল নাম" গ্ৰহণ কৰিব খুজিছিল। এনেতে তেওঁ শঙ্কৰদেৱৰ নাম শুনি শঙ্কৰদেৱৰ ওচৰলৈ আহি শঙ্কৰত শৰণ লয়। এতিয়া দেখা যাওক এইটো অনুমান কোন শকত ? সেইটো উলিয়াব পাৰিলেই চৈতন্য প্ৰচাৰিত ধৰ্ম্ম নামনি-অসমত অৰ্থাৎ সেই সেইকালৰ কামৰূপৰ য'ত ত'ত অলপ-অচৰপ সোমোৱাৰ কালটো জানিব পৰা যাব। শঙ্কৰদেৱ জন্মৰ পৰা ৬০ বছৰ আলি-পুখুৰীত, ৭ বছৰ বৰদোৱাত আছিল। ৬৭ বছৰ বয়সত তেওঁ কছাৰীৰ ভয়ত বৰদোৱা এৰি উজনিৰ

পাৰলৈ ভাগি গৈ গাংমৌত সত্ৰ পাতি থাকে। গাংমৌত তেওঁ ৫ বছৰ থাকে আৰু তাতে তেওঁৰ বৰ পুতেক ৰমানন্দৰ জন্ম হয়। ভকলাৰ উপদ্ৰৱত শঙ্কৰদেৱে গাংমৌ এৰি চাঙ্গনিত সত্ৰ পাতি ছমাহ থাকে। তেওঁ সেই ঠাই ভাল নেপাই তাক এৰি ধুৱাঁ-হাট বা বেলগুৰিলৈ গৈ তাত সত্ৰ-সভা পাতি ধৰ্ম্ম প্ৰচাৰ কৰি থাকে। ধুৱাঁহাটতে শঙ্কৰ মাধৱৰ মিলন হয়, আৰু মাধৱে শঙ্কৰেৰে সৈতে বাদ কৰি পৰাস্ত হৈ শঙ্কৰৰ শিষ্যত্ব গ্ৰহণ কৰে। তাতে শঙ্কৰদেৱৰ ৰুক্মিণী নামে কন্যা এটি জন্ম হয়। তাতে ৰুক্মিণী ডাঙৰ হয়। তাতে ৰুক্মিণীক বিবাহ কৰিবলৈ শঙ্কৰদেৱে মাধৱদেৱক ধৰে, আৰু মাধৱদেৱৰ অমান্তি হয়। শঙ্কৰদেৱ ধুৱাঁহাটত থাকোঁতেই, আহোম ৰজাৰ হাতী ধৰিবৰ মন হলত, ৰজাই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ হাতী ধৰিবৰ নিমিত্তে লোকজন পঠিয়ালে। সন্দিকৈয়ে সেই কাৰ্য্যৰ প্ৰধান ভাৰ গ্ৰহণ কৰি গৈছিল। সকলো ভূঞাসকলৰ গাত হাতী খেদা পাল পৰিল। শঙ্কৰৰ বংশৰ ভূঞাসকলেও এফালে পাল পাইছিল। দুৰ্ভাগ্যবশতঃ খেদা হাতী এওঁলোকৰ ফালেদি ভাগি গ'ল। সেইদেখি সন্দিকৈয়ে ভূঞাসকলক ধৰাই নিবলৈ কটোৱাল পঠিয়াই শঙ্কৰদেৱকে আদি কৰি ভূঞা-সকলক ধৰাই নিলে। গড়গাৱঁত ৰজাৰ আগত বিচাৰ হৈ তেওঁলোক নিৰ্দ্দোষী প্ৰমাণ হ'লত তেওঁলোকক এৰি দিয়া হ'ল। কিন্তু চেঙেলীয়া ভূঞা কেইজনমানক ৰজাই লিগিৰা কৰি ৰাখিলে। শঙ্কৰ যোৰহাটেদি উভতি ভটীয়াই আহোঁতেই ৰজাৰ কুঁৱৰী এজনাৰ মৃত্যু হয়। এজন বুঢ়া মানুহে শঙ্কৰদেৱক এটা জৰা-টেঙা ভেটি দিছিল; সেই বুঢ়াক ৰজাৰ মানুহে ধৰি নি কুঁৱৰীৰে সৈতে মৈদামত পুতিলে। শঙ্কৰদেৱে এই কথা দেখি ৰজাৰ ব্যৱহাৰত তেওঁৰ অতি ঘৃণা হৈ সেই ৰাজ্য এৰি ভাটীলৈ আহিবলৈ সঙ্কল্প কৰিলে। শঙ্কৰ উভতি আহি ধুৱাঁহাটতে কিছুদিন আছে। এনেতে লগণীয়া মানুহৰ কথা শুনি আকৌ শঙ্কৰদেৱকে প্ৰবন্ধ্য কৰি ভূঞাসকলক ধৰাই নিবলৈ ৰজাই মানুহ পঠিয়ালে। শঙ্কৰদেৱ ভকত সকলেৰে সৈতে পলাল, কিন্তু মাধৱদেৱ আৰু শঙ্কৰদেৱৰ জোঁৱায়েক হৰি ধৰা পৰিল। হৰি জোঁৱাইক ৰজাই কটালে, আৰু মাধৱদেৱক এবছৰ বন্দী কৰি ৰাখি এৰি দিলে। (বৰদোৱাৰ পুথিৰ মতে)। শঙ্কৰ এওঁলোকলৈ অপেক্ষা কৰি তেতিয়াও ধুৱাঁ-হাটতে আছিল। মাধৱদেৱ উভতি গৈ শঙ্কৰদেৱৰে সৈতে দেখা কৰাৰ পিছত, ৰজাই বুজ পাই আকৌ শঙ্কৰদেৱক ধৰাই নিবলৈ মানুহ পঠিয়ালত সেই বাতৰি শুনি শঙ্কৰে, মাধৱ, জাতি কুটুম্ব আৰু ভকত সকলেৰে সৈতে নাৱেৰে ভটীয়াই গুচি আহি ভাটীৰ কেত্ৰি মৌজাৰ কাপাল নামে ঠাইত সত্ৰ পাতি বহিল। কেত্ৰিত তেওঁ ছমাহ আছিল। তাতে মাধৱদেৱৰ মাক মৰে। তাৰ পৰা শঙ্কৰদেৱ গুচি গৈ চুণপোৰাত সত্ৰ কৰি ছমাহ থাকে। সেই চুণপোৰাতে ভৱানন্দ সাউদক (যাৰ নাম শঙ্কৰদেৱে নাৰায়ণ ঠাকুৰ দিছিল) শঙ্কৰদেৱে শিষ্য কৰে। চুণপোৰাত ছমাহ থাকি কুমাৰকুচিলৈ যায়, তাত এঘৰ চঁড়াল বা হিৰা প্ৰতিবেশীৰ ওচৰত থকাৰ অসুবিধা হোৱাত তাৰপৰা গৈ তেওঁ পাটবাউসীত সত্ৰ কৰে। এতিয়া আমি দেখিলোঁ যে শঙ্কৰদেৱে

আলিপুখুৰীত	....	৬০ বছৰ
বৰদোৱাত	....	৭ "
গাংমৌত	....	৫ "
চাঙ্গনিত	....	ছমাহ থাকে।
		মোট ৭২ বছৰ ছমাহ।

ইয়াৰ পৰা ধুৱাঁহাটলৈ যায়। তাতে ৰুক্মিণী কন্যাৰ জন্ম হৈ বিয়াৰ সময় হয়। সেইদেখি যদি ধুৱা-হাটত তেওঁ কমপক্ষেও ১০ বছৰ থকাটো ধৰা যায়, তেন্তে আমি পাওঁ তেওঁৰ ৮২ বছৰ বয়সত তেওঁ ধুৱাঁহাট এৰি কাপাললৈ আহে। তেওঁ কাপালত ছমাহ, চুণপোৰাত ছমাহ থাকে, সেইদেখি তেওঁ ভৱানন্দক শৰণ দিয়া কালত ৮৩।৮৪ বছৰ বয়সীয়া বুলি ধৰিব পাৰি। সেইদেখি শঙ্কৰদেৱৰ প্ৰায় ৮০ বছৰ বয়সৰ কালত চৈতন্য প্ৰচাৰিত ধৰ্ম্ম অলপ-অলপকৈ কামৰূপত সোমোৱাটোৰ আভাষ পোৱা যায়। শঙ্কৰদেৱ যেতিয়া ৮০ বছৰীয়া, চৈতন্য তেতিয়া ৪৩।৪৪ বছৰ বয়সীয়া। ২৪ বছৰ বয়সত চৈতন্যই সন্ন্যাস লৈ ধৰ্ম্ম প্ৰচাৰ কৰে। সেইদেখি তাৰ পিছত ২০ বছৰ কালত চৈতন্য ধৰ্ম্ম নামনি-আসামত অলপ-অচৰপ প্ৰচাৰিত হোৱাটো একো অসম্ভৱ নহয়। শঙ্কৰদেৱৰ পিছত মাধৱদেৱৰ সময়তো চৈতন্য পন্থী দুই চাৰিজনক মহাপুৰুষীয়া ধৰ্ম্ম দি মহাপুৰুষীয়া কৰাৰ কথা মাধৱদেৱৰ চৰিত্ৰত উল্লেখ আছে, তেওঁলোকৰ ভিতৰত বৰপেটা সত্ৰৰ থাই পুৰুষ মথুৰাদাস আতাই প্ৰধান।

ষোড়শ অধ্যা

শঙ্কৰদেৱেও কৃষ্ণভক্তি আৰু হৰিনামকীৰ্ত্তন-মূলক বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিছিল, চৈতন্যদেৱেও তাকে কৰিছিল। শঙ্কৰদেৱে শিক্ষা দিছিল,—"হৰি নাম বিনা, পাপ-সাগৰত, কাহাৰো নাহি নিস্তাৰ॥ মহা যোগীজনো, ব্ৰহ্ম চিন্তে যদি, হৰিৰ নাম নলৱে। সিও ভ্ৰষ্ট হয়া, সংসাৰত পৰে, চাৰি বেদে হেন কৰে॥ ধৰ্ম্ম অৰ্থ কাম, বিতো অভিলাষে, যি চাৱে মোক্ষৰ পথ। সিও হৰিনাম, কীৰ্ত্তন কৰিলে, পাৱে সৱে মনোৰথ॥ নামৰ মহিমা নাজানি বধিয়ে, আন প্ৰায়শ্চিত্ত বিহে। মৃত্যুসঞ্জীৱনী,

নাজানিয়া বৈদ্যে, আন ঔষধক দিয়ে ॥" "শ্ৰৱণ কীৰ্ত্তনে যাৰ অভ্যাস। নাছাড়ে হৰি তাৰ আসি পাস ॥" "সকল ধৰ্ম্মতে কৰি বিশিষ্ট। হৰি-কীৰ্ত্তনেসে ধৰ্ম্ম গৰিষ্ঠ ॥ অনাদৰি আন ধৰ্ম্ম সম্প্ৰতি। দিওঁ উপদেশ হৰি ভকতি॥" "কলিৰ ধৰ্ম্ম হৰিনাম জান। পাপীৰ নিস্তাৰ নিদিবা কাণ॥" "নাম বিনে নাহি কলিত গতি। কলিৰ লোক হৈব পাপমতি॥ অন্যত্ৰ ধৰ্ম্মে নাহি অধিকাৰ। জানিবা কলিত নামেসে সাৰ॥" "মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ। এতেকে মুকুতি পাইবা কহিলোঁ স্বৰূপ॥" চৈতন্যদেৱেও বৃহন্নাৰদীয় পুৰাণে কোৱা "হৰেৰ্নাম হৰেৰ্নাম, হৰেৰ্নামৈৱ কেৱলং। কলৌ নাস্ত্যেৱ নাস্ত্যেৱ, নাস্ত্যেৱ, গতিৰন্যথা ॥" এই কথাকে প্ৰচাৰ কৰিছিল। চৈতন্যদেৱে শ্ৰীমদ্ভাগৱতোক্ত "শ্ৰৱণং কীৰ্ত্তনং বিষ্ণোঃ স্মৰণং পাদসেৱনম্। অৰ্চ্চনং বন্দনং দাস্যং সখ্যমাত্মনিবেদনম্। ইতি পুংসাৰ্পিতা বিষ্ণৌ ভক্তিশ্চেন্নৱলক্ষণা। ক্ৰিয়তে ভগৱত্যদ্ধা তন্মন্যেঽধীতমুত্তমম্ ;" এই ন বিধ ভক্তি বৈষ্ণৱৰ সাৰ কাৰ্য্য বুলি প্ৰচাৰ কৰিছিল। শঙ্কৰদেৱেও—"শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, বিষ্ণুৰ অৰ্চ্চন, পদসেৱন। দাস্য, সখিত্ব, বন্দন, বিষ্ণুত কৰিব দেহা অৰ্পণ। নৱ বিধ ভক্তি বিষ্ণুত আচৰে সেহিসে পাঠ উত্তম॥" এই ন বিধ ভক্তি বৈষ্ণৱৰ সাৰ কাম বুলি প্ৰচাৰ কৰিছিল। দিনে ৰাতিয়ে শঙ্কৰদেৱে সত্ৰ সভা পাতি ভকত সকলেৰে সৈতে হৰিনাম শ্ৰৱণ কীৰ্ত্তন কৰি থকাটো আৰু হৰিমন্দিৰ মাৰ্জ্জনা আদি কাৰ্য্য কৰাটো জীৱনৰ প্ৰধান কাম বুলি ভাবিছিল। চৈতন্যদেৱেও—"যুগধৰ্ম্ম প্ৰবৰ্ত্তাইমু নাম সংকীৰ্ত্তন। চাৰি ভাৱ ভক্তি দিয়া নাচাইমু ভুৱন॥" কৈ দিনে ৰাতিয়ে সংকীৰ্ত্তনত মতলীয়া হৈ নাচি সংকীৰ্ত্তন কৰি ফুৰিছিল—অৱশ্যে সত্ৰ সভা পাতি নহয়—আৰু পুৰীত গুণ্ডিচা মন্দিৰ মাৰ্জ্জন কৰিছিল। "আৰ দিন প্ৰভাতে প্ৰভু লইয়া নিজগণ। শ্ৰীহস্তে সভাৰে অঙ্গে লেপিল চন্দন॥ শ্ৰীহস্তে সভাৰে দিল একেক মাৰ্জ্জনী। সৱগণ লৈয়া প্ৰভু চলিলা আপনি॥ গুণ্ডিচা মন্দিৰে গেলা কৰিতে মাৰ্জ্জন। প্ৰথমে মাৰ্জ্জনী লঞা কৰিল শোধন।"—(চৈতন্য-চৰিতামৃত)। তেওঁলোক দুয়ো প্ৰেমভক্তি ভাৱক প্ৰাধান্য দিছিল। কিন্তু দুইৰো প্ৰেমভক্তিভাৱৰ পাৰ্থক্য আছিল। চৈতন্যদেৱৰ প্ৰেমভক্তিভাৱ গোপীৰ প্ৰেমভক্তিভাৱ, যাইকে ৰাধিকাৰ প্ৰেমভক্তিভাৱ ; শঙ্কৰদেৱৰ প্ৰেমভক্তিভাৱ কৃষ্ণৰ দাসৰ প্ৰেমভক্তিভাৱ। অধিক কি, চৈতন্যাৱতাৰৰ মুখ্য উদ্দেশ্য ৰাধিকাৰ প্ৰেমভক্তিভাৱ প্ৰকাশ কৰাহে। "অষ্টাবিংশ চতুৰ্যুগে দ্বাপৰেৰ শেষে। ব্ৰজেৰ সহিতে হয় কৃষ্ণেৰ প্ৰকাশে॥ দাস্য সখ্য বাৎসল্য শৃঙ্গাৰ চাৰি ৰস। চাৰি ভাৱে ভক্ত যত কৃষ্ণ তাৰ বশ॥ দাস সখা পিতা মাতা কান্তাগণ লঞা। ব্ৰজে ক্ৰীড়া কৰে কৃষ্ণ প্ৰেমাবিষ্ট হৈয়া॥ যথেষ্ট বিহৰি কৃষ্ণ কৰে অন্তৰ্দ্ধান। অন্তৰ্দ্ধান কৰি মনে কৰে অনুমান॥ চিৰকাল নাহি কৰি প্ৰেম-ভক্তিদান। ভক্তি বিনা জগতেৰ নাহি অৱস্থান॥........ যুগধৰ্ম্ম প্ৰবৰ্ত্তাইমু নাম সংকীৰ্ত্তন। চাৰি ভাৱ ভক্তি দিয়া নাচাইমু ভুৱন॥ আপনি কৰিব ভক্তভাৱ অঙ্গীকাৰে। আপনি আচৰি ভক্তি শিখাইমু সবাৰে॥" —চৈতন্য চৰিতামৃত। শঙ্কৰদেৱৰ প্ৰেমভক্তি উদ্ধৱৰ ভক্তি। উদ্ধৱক যেতিয়া শ্ৰীকৃষ্ণই "বিৰহে আকুল গোপীক জানি। উদ্ধৱক মাতি বুলিলা বাণী॥ আমাৰ পৰম তুমি ভকত। যায়ো গোকুলক চৰি ৰথত॥ বচন-সন্দেশ গোপীক কই। প্ৰবোধ দিবা কতো দিন ৰই॥" (কীৰ্ত্তন) এই বুলি গোকুল'ল পঠিয়ালে, গোকুলত উদ্ধৱে গোপীৰ কৃষ্ণ-প্ৰেম কৃষ্ণময় ভাৱ দেখি আচৰিত হৈ তেওঁলোকক সেৱা কৰি তেওঁলোকৰ ভৰিৰ ধূলি নিজৰ শিৰত তুলি লৈছিল,—"উদ্ধৱে গোপীৰ দেখিয়া ভাৱ। বিস্ময় হয়া শিহৰাইলা গাৱ॥ নন্দৰ ব্ৰজে যত গোপীজাক। শিৰে বন্দো তান পদধূলাক॥"—কীৰ্ত্তন। শঙ্কৰৰ কৃষ্ণভক্তি দাস্য ভাৱত। তেওঁ "কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে কহে" কথায় পতি কয়। একাকি ৰচনাৰ ভণিতাতো সুবিধা পালে সেইষাৰ কথা তেওঁ ক'বলৈ নাপাহৰে। চৈতন্যৰ কৃষ্ণভক্তি কান্ত কান্তাৰ প্ৰেমভাৱত।

চৈতন্যদেৱে কেশৱ ভাৰতীৰ ওচৰত সন্ন্যাস ধৰ্ম্ম লৈছিল। চৈতন্যদেৱৰ ককায়েক বিশ্বৰূপে তাৰ অনেক দিনৰ আগেয়ে সন্ন্যাস গ্ৰহণ কৰি গৃহ পৰিত্যাগ কৰি গুচি গৈছিল। সন্ন্যাসী সম্প্ৰদায় বেদান্তবিহিত অদ্বৈতবাদী বৈৰাগী বুলি প্ৰখ্যাত। চৈতন্যদেৱ যদিও সন্ন্যাসী আছিল, বেদান্তৰ অদ্বৈত-বাদত তেওঁৰ আস্থা নাছিল ; সেইদেখি সাৰ্ব্বভৌম ভট্টাচাৰ্য্যৰে সৈতে তেওঁৰ চিনাপৰিচয় হ'নত তেওঁৰ গোপীনাথ আৰু ভট্টাচাৰ্য্যৰ ভিতৰত এনে বিষয়ে তেওঁৰ আগতে কথা-বাৰ্ত্তা হৈছিল—"গোপীনাথ কহে ইহাৰ নাম শ্ৰীকৃষ্ণ চৈতন্য। গুৰু ইহাৰ কেশৱভাৰতী মহা-ধন্য॥ সাৰ্ব্বভৌম কহে এই নাম সৰ্ব্বোত্তম। ভাৰতী সম্প্ৰদায় ইহোঁ হয়েন মধ্যম॥ গোপীনাথ কহেন ইহাঁৰ নাহি বাহ্যাপেক্ষা। অতএৱ বড় সম্প্ৰদায় কৰিল উপেক্ষা॥ ভট্টাচাৰ্য্য কহে ইহাঁৰ প্ৰৌঢ় যৌৱন। কেমনে সন্ন্যাস ধৰ্ম্ম হইবে ৰক্ষণ॥ নিৰন্তৰ ইহাঁৰে আমি বেদান্ত শুনাইব। বৈৰাগ্য অদ্বৈতমাৰ্গে প্ৰবেশ কৰাইব॥ কহেন যদি পুনৰপি যোগপট্ট দিয়া। সংস্কাৰ কৰিয়ে উত্তম সম্প্ৰদায় আনিয়া॥" ইয়াৰ পিছত সাৰ্ব্বভৌম ভট্টাচাৰ্য্যৰে সৈতে চৈতন্য-দেৱৰ তৰ্ক হওঁতে অদ্বৈতবাদৰ বিৰুদ্ধে চৈতন্যদেৱে

এনে দৰে কৈছিল—“সচ্চিদানন্দ হয় ঈশ্বৰ স্বৰূপ। তিনি অংশে চিচ্ছক্তি হয় তিন ৰূপ।। আনন্দাংশে হ্লাদিনী সদংশে সন্ধিনী। চিদংশে সংবিৎ যাবে জ্ঞান কৰি মানি।। অন্তৰঙ্গা চিচ্ছক্তি তটস্থা জীৱ-শক্তি। বহিৰঙ্গা মায়া তিনে কৰে প্ৰেমভক্তি ।। ষড়বিধ ঐশ্বৰ্য্য প্ৰভুৰ চিচ্ছক্তি বিলাস। হেন শক্তি নাহি মান পৰম সাহস।। মায়াধীশ মায়াৱশ ঈশ্বৰে জীৱে ভেদ। হেন জীৱ ঈশ্বৰ সনে কৰহ অভেদ ।। গীতা শাস্ত্ৰ জীৱস্বৰূপ শক্তি কৰি মানে। হেন জীৱে অভেদ কৰ ঈশ্বৰৰ সনে।।” ইয়াৰ পিছতো তেওঁ আন ঠাইত “মই মায়াবাদী সন্ন্যাসী মোক বৈষ্ণৱতত্ত্বত উপদেশ দিয়ক,” বুলি বিনয় কৰি আনৰ পৰা বৈষ্ণৱ ধৰ্ম্মৰ তত্ত্ব শুনিছিল। মহাবৈষ্ণৱ ৰামানন্দ ৰায়ৰে সৈতে দেখা হওঁতে ৰায়ক চৈতন্যই কৈছিল—“প্ৰভু কহে তুমি মহাভাগৱতোত্তম। তোমাৰ দৰ্শনে সভাৰ দ্ৰৱ হৈল মন।। আনেৰ কা-কথা মায়াবাদী সন্ন্যাসী। আমিহ তোমাৰ স্পৰ্শে কৃষ্ণপ্ৰেমে ভাসি ।।” ইয়াৰ দ্বাৰাই যদিও স্পষ্টকৈ দেখা যায় যে তেওঁ সন্ন্যাসী-সুলভ বিশ্বাস অদ্বৈতবাদৰ বিপক্ষ আছিল, তথাপি তেওঁৰ বংশগত শিক্ষাগত আৰু সম্প্ৰদায়গত অদ্বৈত-বাদৰ ছাঁ তেওঁ তেওঁৰ গাত লগবাকৈ ৰাখিব লোৱাৰিছিল। কাৰণ তেওঁৰ অদ্বৈতবাদ শ্ৰীমতী ৰাধাৰে সৈতে একত্ব অভেদতাত পৰিণত হৈছিল। তেওঁ নিজক ৰাধাভাৱৰ দ্বাৰাই অনুপ্ৰাণিত কৰি সম্পূৰ্ণৰূপে ৰাধা সাজি ব্ৰজভাৱ অনুভৱ কৰি কৃষ্ণ-প্ৰেম সম্ভোগ কৰাটোকেই তেওঁৰ ধৰ্ম্মজীৱনৰ প্ৰধান উদ্দেশ্য কৰিছিল ।

(১) “ৰাধা কৃষ্ণ প্ৰণয় বিকৃতিৰ্হ্লাদিনী শক্তি-ৰস্মাদেকাত্মানাৱপি ভুৱি পুৰা দেহভেদং গতৌ তৌ। চৈতন্যাখ্যং প্ৰকটমধুনা তদ্বয়ং চৈক্যমাপ্তং। ৰাধাভাৱদ্যুতি সুৱলিতং নৌমি কৃষ্ণ স্বৰূপং ।।” (২) “শ্ৰীৰাধায়াঃ প্ৰণয়মহিমা কীদৃশোবানয়ৈৱাস্বাদ্যো যেনাদ্ভুতমধুৰিমা কীদৃশো বা মদীয়া। সৌখ্যং চাস্যা মদনুভৱতঃ কীদৃশং ৱেতি লোভাত্তদ্ভাৱাঢ্যঃ সমজনি শচীগৰ্ভসিন্ধৌ হৰীন্দুঃ ।।”—শ্ৰীৰূপগোস্বামী ।

(১) অৰ্থাৎ শ্ৰীমতী ৰাধিকাই কৃষ্ণপ্ৰেমৰ বিলাসৰূপিণী হ্লাদিনী শক্তি, সেইদেখি ৰাধাকৃষ্ণ একাত্মা হৈও অনাদি কালৰ পৰা বিলাসবাসনা কৰি জগতত দেহভেদ স্বীকাৰ কৰিছিল। সম্প্ৰতি দুয়ো একত্ব প্ৰাপ্ত হৈ চৈতন্য ৰূপে আৱিৰ্ভূত হৈছে। এইদ্বাৰে ৰাধাভাৱ আৰু ৰাধাকান্তিবিশিষ্ট কৃষ্ণস্বৰূপ কৃষ্ণ চৈতন্যদেৱক নমস্কাৰ কৰোঁ।।

(২) অৰ্থাৎ শ্ৰীমতী ৰাধিকাৰ প্ৰেমমহিমা কেনেকুৱা, শ্ৰীমতীয়ে প্ৰেমেৰে সৈতে যি আস্বাদন কৰে মোৰ সেই বিচিত্ৰ মধুৰিমাই বা কেনেকুৱা, আৰু মোৰ অনুভৱৰ পৰা শ্ৰীমতীয়ে যি আনন্দ লাভ কৰে সেই আনন্দই বা কেনেকুৱা, এই তিনটি বিষয়ত লোভৰ বশৱৰ্ত্তী হৈ শচীগৰ্ভৰূপ সমুদ্ৰত ৰাধাভাৱযুক্ত হৈ কৃষ্ণৰূপ চন্দ্ৰ আৱিৰ্ভাৱ হ'ল।

“কৃষ্ণমুখ আস্বাদে প্ৰেম নাম সংকীৰ্ত্তন।।” “নিজভাৱে কৰে কৃষ্ণমুখ আস্বাদনে।।” “আপনা আস্বাদিতে কৃষ্ণ কৰেন যতন।।” “ৰাধাকৃষ্ণ এক আত্মা দুই দেহ ধৰি। অন্যান্যে বিলসয়ে ৰস আস্বাদন কৰি।। সেই দুই এক্ষ এবে চৈতন্য গোসাঁই। ৰস আস্বাদিত দোঁহে হৈল এক ঠাঁই ।।”—চৈতন্য চৰিতামৃত ।

বাস্তৱিক চৈতন্যই নিজকে ৰাধা বুলি ভাৱি কৃষ্ণপ্ৰেমত মত্ত হৈ ফুৰা দেখা যায় ; আৰু তেওঁৰ প্ৰচাৰিত প্ৰেমভক্তিৰ বিশেষত্বও তাতেহে। চৈতন্য-চৰিতামৃত গ্ৰন্থত আছে—“শেষ যে ৰহিল প্ৰভু দ্বাদশ বৎসৰ। কৃষ্ণেৰ বিৰহ স্ফূৰ্ত্তি হয় নিৰন্তৰ ।। শ্ৰীৰাধিকাৰ চেষ্টা যৈছে উদ্ধৱ দৰ্শনে। এই মত দশা প্ৰভুৰ হয় ৰাত্ৰি দিনে ।। নিৰন্তৰ হয় প্ৰভুৰ বিৰহ-উন্মাদ। ভ্ৰমময় চেষ্টা সদা প্ৰলাপময় বাদ ।। ......চটক পৰ্ব্বত দেখি গোবৰ্দ্ধন ভ্ৰমে। ধাইয়া-চলে আৰ্ত্তনাদে কৰিয়া ক্ৰন্দনে ।। উপবনোদ্যান দেখি বৃন্দাবন জ্ঞান। তাঁহা যাই নাচে গায় ক্ষণে মূৰ্চ্ছা যান ।।......কাঁহা কৰোঁ কাঁহা পাও ব্ৰজেন্দ্ৰনন্দন। কাঁহা মোৰ প্ৰাণনাথ মুৰলীবদন ।।......উপজিল প্ৰেমাঙ্কুৰ, ভাঙ্গিল যে দুঃখ-পূৰ, কৃষ্ণ তাহা নাহি কৰে পান। বাহিৰে নাগৰাজ, ভিতৰে শঠেৰ কাজ, পৰনাৰী বধে সাৱধান ।। সখি হে না বুঝিয়ে বিধিৰ বিধান। সুখ লাগি কৈল প্ৰীত, হৈল দুঃখে বিপৰীত, এবে যায় নাৰহে পৰাণ ।......নাৰীৰ যৌবন ধন, যাৰে কৃষ্ণ কৰে মন, সে যৌবন দিন দুই চাৰি ।। অগ্নি যৈছে নিজধাম, দেখায়া অভিৰাম, পতঙ্গেৰে আকৰ্ষিয়া মাৰে। কৃষ্ণ ঐছে নিজগুণ, দেখাইয়া হৰে মন, পাছে দুঃখ-সমুদ্ৰেতে ডাৰে ।। এতেক বিলাপ কৰি, বিষাদে শ্ৰীগৌৰহৰি, উঘাড়িয়া দুঃখেৰ কৱাট। ......যে কালে বা স্বপনে, দেখিনু বংশীবদনে, সেই-কালে আইলা দুই বৈৰী। আনন্দ আৰ মদন, হৰি নিল মোৰ মন, দেখিতে না পাইনু নেত্ৰ ভৰি...... তুমি দেৱ ক্ৰীড়াৰত, ভুবনেৰ নাৰী যত, তাহে কৰ অভীষ্টক্ৰীড়ন। তুমি আমাৰ দায়িত, মোতে বৈসে তোমাৰ চিত, মোৰ ভাগ্যে কৈলে আগমন।। তুমি নাথ ব্ৰজপ্ৰাণ, ব্ৰজেৰ কৰ পৰিত্ৰাণ, বহু কাৰ্য্যে নাহি অৱকাশ। তুমি আমাৰ ৰমণ, সুখ দিতে আগমন, এ তোমাৰ বৈদগ্ধবিলাস ।।” —চৈতন্যচৰিতামৃত ।

পদকল্পতৰুত পুথিত আছে, শ্ৰীৰাধিকাই তমাল গছ দেখি কৃষ্ণভ্ৰম কৰি—"বিজনে আলিঙ্গই তৰুণ তমাল," আৰু চণ্ডীদাসৰ কবিতাত আছে, মেঘ দেখি "চাহে মেঘপানে, নাচালে নয়নেৰ তাৰা।" চৈতন্যইও "চতক পৰ্ব্বত দেখি গোবৰ্দ্ধনে ভ্ৰমে, ধাঞা চলে আৰ্ত্তনাদ কৰিবা ক্ৰন্দনে।" "যাহা নদী দেখে তাহা মানয়ে কালিন্দী।" "তমালেৰ বৃক্ষ এক সন্মুখে দেখিয়া। কৃষ্ণ বুলি ধেয়ে গিয়ে ধৰে জড়াইয়া॥" শ্ৰীৰাধিকাই—"পুছয়ে কানুৰ কথা ছল ছল আঁখি। কোথায় দেখিলা শ্যাম কহ দেখি সখি॥"—(চণ্ডীদাস)। চৈতন্যইও—"গদাধৰে দেখি প্ৰভু কৰয় জিজ্ঞাস। কোথা হৰি আছেন শ্যামল পীতবাস।"—(চৈতন্যভাগৱত)।

শঙ্কৰৰ ধৰ্ম্মত উপাস্য উপাসকৰ ভাব প্ৰবল, শ্ৰীকৃষ্ণ তেওঁৰ উপাস্য, তেওঁ শ্ৰীকৃষ্ণৰ উপাসক। উপাস্য উপাসকৰ ভিতৰত যি দৃঢ় ভক্তি দৃঢ় আকৰ্ষণ দৃঢ় সম্বন্ধ সেই ভক্তি সেই আকৰ্ষণ সেই প্ৰেম সেই সম্বন্ধহে শঙ্কৰৰ বস্তু; প্ৰণয়ী আৰু প্ৰণয়িনীৰ সম্ভোগস্পৃহাজনিত প্ৰেম তৃপ্তি, তাৰ ব্যাঘাতত ওপজা কষ্ট, আৰু দীৰ্ঘবিৰহজনিত কাতৰতাৰ পৰা ওপজা উদ্ভ্ৰান্ত প্ৰেম নহয়। বেদান্তৰ অদ্বৈতবাদৰ পৰা জন্ম হোৱা চৈতন্যদেৱৰ নতুন বৈষ্ণৱী-অদ্বৈতবাদ শঙ্কৰদেৱত নাই। শঙ্কৰ সদায় কৃষ্ণৰ কিঙ্কৰ, কৃষ্ণৰ দাস; তেওঁ কৃষ্ণৰ দয়িতা বা প্ৰণয়িনী নহয়। উপাস্য উপাসকৰ প্ৰভেদ নথকাতে শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধত বৰ্ণিত গোপীৰ ভাব,—"কতোজনী কৃষ্ণ হুয়া বাৱে বংশী তুলি।......কৃষ্ণময় হুয়া কতো আনন্দতে চলে॥......নকৰিবা ভয় বুলি কতো গোপী মাতে। মই কৃষ্ণ আছোঁ কি কৰিব বৃষ্টি বাতে॥.... ধৰিলোঁ মন্দৰ হেৰ চাপ নিৰন্তৰ॥" ইত্যাদি। চৈতন্যৰ এই সোহহং ভাব, "মুঞি সেই মুঞি সেই কহি কহি হাসে।"—চৈতন্য ভাগৱত। বিদ্যাপতিৰ হাততো এই কথা—"অনুখন মাধৱ মাধৱ সোঙৰিতে সুন্দৰী ভেল মাধাই॥" জয়দেৱৰ বৰ্ণনাতো এই,—"মুহুৰৱলোকিতমণ্ডনলীলা। মুৰিপুৰহমিতি ভাৱনশীলা॥" কিন্তু শঙ্কৰে উপাস্য উপাসকৰ প্ৰভেদ সাৱধানে ৰাখিছিল; কাৰণ তেওঁ জানিছিল, যে কান্ত আৰু প্ৰণয়িণীৰ প্ৰেম যদিও খুব ওখ তথাপি সাধাৰণ লোকৰ হাতত পৰি সি নিশ্চয় অধোগতি প্ৰাপ্ত হ'ব। সংসাৰীৰ সংসাৰৰ ধৰ্ম্মত সেইভাব কাৰ্য্যকৰ নহয় বৰং বিপদজনক। সন্ন্যাসধৰ্ম্মত, প্ৰতিভাশালী ধৰ্ম্ম সংস্থাপকে গুৰিতে সেই ভাব ভালে ৰাখিলেও পিছত শিষ্যসকলৰ দ্বাৰাই যে তাৰ দুৰ্দ্দশা ঘটিব, সেইটো দূৰদৰ্শী শঙ্কৰদেৱে ভালকৈ জানিছিল। সঁচাকৈ চৈতন্য প্ৰচাৰিত ধৰ্ম্মত তেনে ঘটিলো, আৰু সেই ধৰ্ম্মৰ অৱনতিৰ সিয়েই এটা মাই কাৰণ।

"শ্যামমেৰ পৰংৰূপং পুৰী মাধুপুৰী বৰ। বয়ঃ কৈশোৰকং ধ্যেয়মাদ্যএৰ পৰো ৰসং॥"—পদ্যাৱলী। অৰ্থাৎ ৰূপৰ ভিতৰত শ্যামৰূপ, পুৰীৰ ভিতৰত মথুৰাপুৰী, বয়সৰ ভিতৰত কৈশোৰ আৰু ৰসৰ ভিতৰত আদি ৰস শ্ৰেষ্ঠ; এইটো চৈতন্য প্ৰচাৰিত ধৰ্ম্মৰ মূলমন্ত্ৰ। শঙ্কৰ প্ৰচাৰিত ধৰ্ম্মত, বাৰজৰী, ছিগিলেই ভয়ানক বিপদজনক উদ্দাম আদিৰসৰ এনে প্ৰাধান্য নাই আৰু সেই কাৰণে শঙ্কৰ প্ৰচাৰিত ধৰ্ম্মৰ আসন চৈতন্য প্ৰচাৰিত ধৰ্ম্মতকৈ ওখ।

শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱধৰ্ম্ম নিৰিহ-নিপানীকৈ শ্ৰীমদ্ভাগৱতৰ পৰা অনা ধৰ্ম্ম। চৈতন্যৰ প্ৰচাৰিত বৈষ্ণৱধৰ্ম্ম অকল যে শ্ৰীমদ্ভাগৱতানুমোদিত এনে নহয়, সি ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ, বৃহন্নাৰদীয় পুৰাণ, আৰু ঘাইকৈ জয়দেৱৰ গীতগোবিন্দ, বিদ্যাপতি আৰু চণ্ডীদাসৰ কবিতা, ৰামানন্দ ৰায় আদিৰ নাটক, ৰূপ সনাতনৰ সংস্কৃত কৃষ্ণলীলাৰ গ্ৰন্থ আদিৰ ভাৱেৰে সান-মিহলি। তেওঁ তেওঁৰ ৰাধা-ভাৱৰ নিমিত্তে য'ৰ পৰা যি সেই ভাৱৰ পৰিপোষক পাইছিল তাৰেই তেওঁৰ বৈষ্ণৱধৰ্ম্ম ডাঙৰ-দীঘল কৰিছিল। বাস্তৱিকতে ক'বলৈ গ'লে, বিদ্যাপতি, চণ্ডীদাস আৰু জয়দেৱৰ কবিতা হে তেওঁৰ প্ৰচাৰিত ধৰ্ম্মৰ আৰু ঘাইকৈ তেওঁৰ মনত কৃষ্ণ-প্ৰেমৰ উৎপাদক বুলিব লাগে। চৈতন্যৰ অতিৰিক্ত ভাবপ্ৰৱণ মনত বিদ্যাপতি চণ্ডীদাস আৰু জয়দেৱৰ ৰচিত কবিতা অঙ্কুৰিত বৰ্দ্ধিত আৰু পুষ্পিত হৈ উঠিছিল। তেওঁলোকে কবিতা কৰি ৰাধাকৃষ্ণৰ প্ৰেমৰ বিষয়ে, ৰাধাৰ কৃষ্ণবিৰহৰ বিষয়ে যি লেখিছিল, চৈতন্যই সেইবোৰ তেওঁৰ জীৱনত অভিনয় কৰি প্ৰকৃত যেনকৈ দেখুৱাবলৈ চেষ্টা কৰিছিল। একেই চৈতন্যৰ অতিৰিক্ত ভাৱপ্ৰৱণতা (Sentimentalism), প্ৰতিভাসুলভ বুদ্ধিৰ প্ৰখৰতা আৰু প্ৰগাঢ় পাণ্ডিত্য, তাৰ ওপৰত তেওঁৰ "জিনিয়াচ" (Genius) সুলভ অৰ্থাৎ নৱনৱোন্মেষশালিনী বুদ্ধিসুলভ "এক্‌চেণ্ট্ৰিচিটি" (Eccentricity) কেন্দ্ৰভ্ৰষ্ট, বৈষম্য, এই এটাইবোৰে মিলি তেওঁক জয়দেৱ বিদ্যাপতি আৰু চণ্ডীদাসৰ কবিতাময় ভাৱবোৰ নিজৰ জীৱনত সাকাৰ কৰি লবলৈ সুবিধা দিছিল। আমাৰ বিশ্বাস, জয়দেৱ বিদ্যাপতি আৰু চণ্ডীদাসৰ জন্ম আগেয়ে নোহোৱাহেঁতেন নিমাই বিশ্বম্ভৰ শ্ৰীকৃষ্ণ চৈতন্য হোৱাটো অসম্ভৱ হ'লহেঁতেন। চণ্ডীদাসৰ বৰ্ণিত পূৰ্ব্বৰাগ, ৰাধিকাৰ ব্যাকুল বিৰহ, মধুৰ প্ৰেম আৰু দিব্যোন্মাদ চৈতন্যদেৱে নকল কৰি নিজৰ কৰি নিজৰ জীৱনত দেখুৱালে। ৰাধাই চণ্ডীদাসৰ কবিতাত "জলদ নেহাৰি নয়নে ঝৰু লোৰ," কৃষ্ণ অভ্ৰম কৰি কুসুমলতা আলিঙ্গন আৰু একদৃষ্টে ময়ূৰ ময়ূৰীৰ কণ্ঠ নিৰীক্ষণ কৰিছিল, চৈতন্যইও তেওঁৰ

জীৱনত অনেকবাৰ তেনেকুৱা কৰিছিল। চণ্ডীদাসে কৃষ্ণবিৰহত ৰাধাৰ অজ্ঞান অৱস্থা বৰ্ণনা কৰি লেখিছে "তুলাখানি দিল নাসিকা মাঝে। তবে সে বুঝিল শোয়াস আসে॥" চৈতন্যচৰিতামৃত গ্ৰন্থত আছে—"আবেশে চলিলা প্ৰভু জগন্নাথ মন্দিৰে। জগন্নাথ দেখি প্ৰেমে হইলা অস্থিৰে॥ জগন্নাথ আলিঙ্গিতে চলিলা ধাইয়া। মন্দিৰে পৰিলা প্ৰেমে আবিষ্ট হইয়া॥ ....শ্বাস প্ৰশ্বাস নাহি উদৰ স্পন্দন। দেখিয়া চিন্তিত ভৈল ভট্টাচাৰ্য্যৰ মন॥ সূক্ষ্ম তুলা আনি নাসা-অগ্ৰেতে ধৰিল। ঈষৎ চলয়ে তুলা দেখি ধৈৰ্য্য হৈল॥" চণ্ডীদাসে লেখিছে—ৰাধাই কৃষ্ণ নাম শুনিলে কৃতজ্ঞ হৈ প্ৰেমত সেই নাম উচ্চাৰণ কৰোতাজনৰ ভৰিত ধৰিছিল,—"অকথন বেয়াধি এ কহা নাহি যায়। যে কৰে কানুৰ নাম ধৰে তাৰ পায়॥ পায় ধৰি কাঁদে সে চিকুৰ গড়ি যায়। সোণাৰ পুতলী যেন ভূতলে লোটায়॥" গোবিন্দ দাসৰ কৰচাত আছে, চৈতন্যৰ "কৃষ্ণ অনুৰাগে সদা আকুল হৃদয়। শুনিলে কৃষ্ণৰ নাম অশ্ৰুধাৰা বয়॥ প্ৰাণ কৃষ্ণ বুলি যদি দৈবে কেহ ডাকে। ধেয়ে গিয়ে আলিঙ্গন কৰেন তাহাকে॥" চণ্ডীদাসৰ কবিতাত আছে,—ৰাধাই "পুছয়ে কানুৰ কথা ছল ছল আঁখি। কোথায় দেখিল শ্যাম কহ দেখি সখি॥" চৈতন্য ভাগৱতত আছে,—চৈতন্যইও "গদাধৰে দেখি প্ৰভু কৰয় জিজ্ঞাস। কোথা হৰি আছেন শ্যামল পীতবাস॥' চণ্ডীদাসে লেখিছে, মাটিত ৰাধাই নখেৰে কৃষ্ণ নাম লেখি সুখী হৈছিল—"ভৰমে তোমাৰ নাম ক্ষিতি তলে লিখি॥" "চৈতন্য-ভাগৱতত" আছে—চৈতন্যই "ক্ষণে পৃথিবীতে লেখে ত্ৰিভঙ্গ আকৃতি। চাহিয়া ৰোদন কৰে ভাসে সব ক্ষিতি॥"

শ্ৰীমদ্ভাগৱতত আছে, গোপীসকলে ৰাসক্ৰীড়াৰ মাজতে কৃষ্ণক হেৰুৱাই কৃষ্ণ বিৰহত কাতৰ হৈ কৃষ্ণক বিচাৰি বিচাৰি নেপাই কৃষ্ণলীলাৰ অভিনয় কৰিছিল,—"পুতনাৰ বেশে কতোজনী দেয় স্তন। কতো হয়া কৃষ্ণশিশু শোসয় জীৱন॥ কতো গোপী থাকে যেন শকত আকাৰে। কৃষ্ণ হয়া ওভতাৰে চৰণ প্ৰহাৰে॥ কতো গোপী বসে শিশু-কৃষ্ণ ৰূপ ধৰি। তৃণাৱৰ্ত্ত হয়া কতো গোপী নেয় হৰি॥ কৃষ্ণ হয়া কেহোজনী ফুৰে আঠু কাঢ়ি। কঙ্কালত বাযৰ ঘুণ্টুৰা কৰে সাৰি॥" ইত্যাদি। (শঙ্কৰদেৱ প্ৰণীত কীৰ্ত্তন)। কিন্তু কৃষ্ণবিৰহত কাতৰ ৰাধিকাৰ ভাবাপন্ন চৈতন্যদেৱে যাইকৈ বিদ্যাপতি, চণ্ডীদাস আদি কবিসকলৰ বৰ্ণিত ৰাধিকাৰ অভিনয়হে কৰিছিল, শ্ৰীমদ্ভাগৱতৰ গোপী-সকলে কৰা কৃষ্ণৰ অভিনয় সিমান নহয়। শ্ৰীমদ্ভা-গৱতত ৰাধিকাৰ নাম একেবাৰেই নাই। তাত কৃষ্ণৰ এজন বিশেষ অনুৰাগৰ পাত্ৰ গোপী যাক কৃষ্ণই লৈ আনবিলাক গোপীক এৰি এবাৰ অন্তৰ্দ্ধান হৈ গৈছিল, এনে গোপী এজনাৰ যৎকিঞ্চিত আভাষ দেখিবলৈ পোৱা যায় মাথোন। ৰাধা নামৰ গোপীৰ উল্লেখ আন আন গোপীৰ লগত এবাৰ মাথোন পোৱা যায়। সেই ৰাধাও দহৰ লগৰ এজনা আৰু বিশেষত্ববৰ্জ্জিত। শ্ৰীমদ্ভাগৱতৰ ৰাধা ৰাই ৰাধা নহয়, প্ৰধানা গোপী নহয়।—"অনেক সহস্ৰ গোপীৰূপে অনুপাম। শুনা তাসম্বাৰ মুখ্য মুখ্য কিছু নাম॥ ইন্দুমতী, মদনমঞ্জৰী, ৰত্নমালা। পদ্মাৱতী, কুন্তী, কুমুদিনী, চন্দ্ৰকলা॥ ৰোহিণী, হৰিণী, স্বয়ম্বৰী, বিদ্যাধৰী। মাধৱী, ৰাধিকা, মধুমতী, মন্দোদৰী"॥ ইত্যাদি,—দশম স্কন্ধ। ইয়াৰ দ্বাৰাই স্পষ্টকৈ বুজা যায়, যে চৈতন্যৰ ৰাধা শ্ৰীমদ্ভাগৱতৰ পিছৰ ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ ৰাধা, আৰু তাৰো অনেক কালৰ পিছৰ জয়দেৱ, বিদ্যাপতি, চণ্ডীদাস আদি কবিসকলৰ ৰাধা। ভাগৱতী বৈষ্ণৱধৰ্ম্ম প্ৰচাৰক শ্ৰীশঙ্কৰদেৱৰ দশম কীৰ্ত্তন আদি কোনো পুথিত, তেওঁৰ গীত ভাওনা আদি ক'তো সেইদেখি ৰাধাৰ নাম নাই, ৰাধাৰ প্ৰেমৰ বিশেষত্ব নাই; কাৰণ তেওঁৰ প্ৰচাৰিত ধৰ্ম্মৰ গুৰি শ্ৰীমদ্ভাগৱত। তেওঁৰ নাট গীত পদ ভাওনা চপয় আদিত ৰুক্মিণী, সত্যভামা আদি কৃষ্ণৰ মহিষীৰ গুণ নাম আছে, মুঠতে, গোকুলৰ গোপীসকলৰ কৃষ্ণভকতি কৃষ্ণপ্ৰেমৰ কথা আছে, কিন্তু চৈতন্যৰ ৰাধাৰ প্ৰেম, ৰাধাৰ নাম নাই। মুঠতে শ্ৰীমদ্ভাগৱতত যি নাই, শঙ্কৰদেৱৰ পুথিত, শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মত সি নাই। শঙ্কৰ চৈতন্যৰ শিষ্য হোৱাহেঁতেন ধৰ্ম্ম বিষয়ত তেওঁলোকৰ ভিতৰত এনে Fundamental difference মৌলিক প্ৰভেদ হ'ব পাৰিলেহেঁতেন নে? গোকুলৰ গোপীসকল শঙ্কৰৰ মানত কৃষ্ণৰ মহাভক্ত, মহা প্ৰেমিকা; উদ্ধৱৰ দৰে শঙ্কৰে তেওঁলোকৰ ভৰিৰ ধূলি নিজৰ শিৰত ল'ব, কিন্তু তেওঁলোকে কৃষ্ণৰ সৈতে আৰু কৃষ্ণৰ বিৰহত কৰা কেলিৰ অভিনয় নকৰে। অকল সিয়েই নহয়, তেওঁ তেওঁৰ দশম কীৰ্ত্তনত কৈছে—"কৈৰ কামাতুৰা অনাচাৰী গোপনাৰী। কৰিলে অধীন দেখা ঈশ্বৰ মুৰাৰি॥ ভকতি কৰিলে কৃষ্ণে একো নবাছন্ত। হেন জানি সৰ্ব্বজনে ভজা ভগৱন্ত॥' "একে স্ত্ৰী বনচাৰী আৰো ব্যভিচাৰী। তাহাৰো অধীন ভৈলা ঈশ্বৰ মুৰাৰি॥ নাবাছে অজাতি জাতি পাপ পুণ্যৱন্ত। ভকতিসে বশ্য কিন্তু প্ৰভু ভগৱন্ত॥"—দশম। এইয়েই শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মৰে সৈতে চৈতন্যদেৱৰ প্ৰচাৰিত ধৰ্ম্মৰ যাই প্ৰভেদ। চৈতন্য প্ৰচাৰিত ধৰ্ম্মৰ সৈতে শঙ্কৰ প্ৰচাৰিত ধৰ্ম্মৰ এনে মৌলিক প্ৰভেদ থকাতো শঙ্কৰে চৈতন্যৰ পৰা ধৰ্ম্ম পোৱা বুলি কোৱা কথা অতি আচৰিত নহয় নে? এই বাবেই শঙ্কৰদেৱে তেওঁৰ

শেষ বয়সত চৈতন্যৰ প্ৰচাৰিত ধৰ্ম্মৰ বিষয়ে ভালকৈ জানিও আৰু মহাপ্ৰভাৱেৰে সি চাৰিও ফালে প্ৰচাৰিত হোৱা দেখিও তাৰ প্ৰতি অলপো আকৃষ্ট নহৈছিল। তেওঁ কবীৰ, ৰামানন্দ, ৰূপ সনাতন আদিৰ দ্বাৰাই প্ৰচাৰিত বৈষ্ণৱধৰ্ম্ম কৃষ্ণভক্তি, কৃষ্ণপ্ৰেম আদিৰ প্ৰতি বৰং শ্ৰদ্ধাবান হোৱা দেখা যায়, তথাপি চৈতন্যৰ প্ৰতি নহয়। বৰং অনেক সময়ত তেওঁ বৰপেটা পাটবাউসী আদি ঠাইত থাকোঁতে চৈতন্যপন্থীয়া লোকক বা চৈতন্য পন্থীয়া ধৰ্ম্মত শৰণ লবলৈ যোৱা লোকক সেই পথ এৰুৱাই নিজৰ প্ৰচাৰিত ধৰ্ম্মমতে শৰণ দিয়া দেখা যায়। চৈতন্যৰ প্ৰতি শঙ্কৰৰ অনুৰাগ নথকাৰ আৰু এটা কাৰণ, চৈতন্যৰ সন্ন্যাস গ্ৰহণ। শঙ্কৰ কল্পিত সন্ন্যাস আশ্ৰমৰ বিপক্ষ আছিল। শঙ্কৰ আদৰ্শ গৃহস্থ, ভক্ত, বৈষ্ণৱ। গৃহস্থই গৃহকাৰ্য্যৰ সকলো কৰ্ত্তব্য সাধন কৰি, সকলো দায়িত্ব গাত ৰাখিও ঈশ্বৰৰ নাম কীৰ্ত্তন কৰি শুদ্ধ সত্ত্বৰূপে থাকি ধৰ্ম্মানুষ্ঠান কৰি থকাকে তেওঁ শ্ৰেয়ঃ বুলি জ্ঞান কৰিছিল। জনক তেওঁৰ আৰ্হি আছিল, শঙ্কৰাচাৰ্য্য নহয়। তেওঁৰ মতে বৈষ্ণৱ হ'বলৈ সন্ন্যাসী হ'বৰ কোনো প্ৰয়োজন নাই। তেওঁৰ তেনেকুৱা মত থকাৰ নিমিত্তে হে কণ্ঠভূষণে বাৰাণসীৰ পৰা যেতিয়া সংস্কৃত ৰত্নাৱলী পুথি আনি তেওঁক দিলে, তাৰ গ্ৰন্থকাৰ বিষ্ণুপুৰী সন্ন্যাসী বুলি শুনি তেওঁ প্ৰথমতে সেই পুথিৰ ওপৰত শ্ৰদ্ধা প্ৰকাশ কৰা নাছিল, পিছত কণ্ঠভূষণৰ অনুৰোধত পুথিখন আগৰপৰা শুনিলেকে পাছে তেওঁ তাৰ গুণত মুগ্ধ হৈ পুথিখন মূৰত লৈ আনন্দত নাচিবলৈ ধৰিলে।—"ৰত্নাৱলী গ্ৰন্থ বাৰাণসী হন্তে আনি। শঙ্কৰদেৱৰ দিয়া বুলিলন্ত বাণী ॥ বিষ্ণুপুৰী নামে এক সন্ন্যাসী আছিল। ইতো গ্ৰন্থখান বাপু তেহোঁ বিৰচিল ॥ * * * শুনিয়া শঙ্কৰদেৱে হেলা কৰিলন্ত। সন্ন্যাসীৰ কৃত জ্ঞান কৰ্ম্ম বুলিলন্ত ॥ কিবা কাম ইহাত বা আছয় আমাৰ। * * * পাছে একশৰণ শঙ্কৰে দেখিলন্ত ॥ কিনো মহা দিব্য গ্ৰন্থ মানিলা মনত। উঠিলন্ত গ্ৰন্থখান ধৰিয়া শিৰত ॥ নাচন্ত হৰিষে আতি মনে মহা ৰঙ্গ। বোলন্ত জানিলা বিষ্ণুপুৰী মোৰ সঙ্গ ॥'—দৈত্যাৰি। শঙ্কৰদেৱে "একাদশীত" লেখিছে,—কৃষ্ণই অৰ্জ্জুনক গীতাত কৈছে, 'তপ জপ সন্ন্যাস পৰম মহাদানে। নপাৱে আমাক পাপী যোগ মহাজ্ঞানে ॥' কৃষ্ণই উদ্ধৱক কৈছে, "নপাৱে আমাক একাদশী উপবাসে। নবনয় ধৰ্ম্ম লোক পৰম সন্ন্যাসে ॥'

মহাপুৰুষীয়া ধৰ্ম্ম আৰু চৈতন্যপন্থীয়া ধৰ্ম্মত শৰণ বা দীক্ষাৰ প্ৰণালীতও অনেক প্ৰভেদ আছে, যিবোৰৰ বিষয়ে ইয়াত কৈ আমি মহাপুৰুষীয়া আৰু চৈতন্যপন্থীয়া লোকৰ মন ক্ষুণ্ণ কৰিব নোখোজোঁ; কাৰণ সেইবোৰ গোপনীয় কথা। মুঠতে কওঁ চৈতন্যৰ দীক্ষাত যোল নাম, শঙ্কৰৰ শৰণত চাৰি নাম। শঙ্কৰদেৱৰ জীৱিত থাকোঁতে অনেক চৈতন্যপন্থীয়া যোল নামৰ দীক্ষা লোৱা লোকক সেই পথ এৰুৱাই শৰণ দি মহাপুৰুষীয়া কৰিছিল।

চৈতন্যদেৱৰ ধৰ্ম্মপ্ৰচাৰত কৃষ্ণপ্ৰেমত উন্মত্ততা, কৃষ্ণভাৱত আন বাহ্যিকাৰ ভাৱত বিভোৰতা, নাচি নাচি সংকীৰ্ত্তন, ভাৱত মাতি বাগৰ বাগৰি ফুৰা, সেইটো হোৱা ভাৱবিহ্বলতাৰ আধিক্যত মূৰ্চ্ছা, অজ্ঞানতা, ইত্যাদি। শঙ্কৰদেৱৰ ধৰ্ম্ম প্ৰচাৰত ভাৱ-প্ৰৱণতা সাধাৰণতে সেতে নিহীন, সঙ্কীৰ্ত্তনত প্ৰেমৰ আৱেগ আছে, কিন্তু উচ্ছৃঙ্খলতা নাই; সি নিয়মিত, সুগঠিত আৰু সুশৃঙ্খলিত। চৈতন্যই কৃষ্ণনাম শুনিলেই বিহ্বল। বাতুল হয়, সঙ্কীৰ্ত্তন কৰি যদি প্ৰমত্ত হয়, আৰু শেষত তেওঁ অজ্ঞান অৱস্থা প্ৰাপ্ত হয়। শঙ্কৰদেৱে কৃষ্ণনাম শুনি ভক্তিত গদগদ হয়, গভীৰ ভাৱত নিমগ্ন হৈ স্তুতি, প্ৰাৰ্থনা, অনুতাপ কৰি নিজক ধন্য মানে। চৈতন্যও কৃষ্ণপ্ৰেমিক, শঙ্কৰও কৃষ্ণপ্ৰেমিক; কিন্তু চৈতন্যৰ প্ৰেমত চঞ্চলতা, শঙ্কৰৰ প্ৰেমত ধীৰতা; চৈতন্যৰ প্ৰেমত ধুমুহা-বতাহ আৰু প্ৰবল ঢৌৰ হেন্দোলনি, শঙ্কৰৰ প্ৰেমত প্ৰশান্ততা আৰু সুগভীৰ স্থিৰতা। চৈতন্যদেৱে জগন্নাথৰ ৰথৰ আগত সঙ্কীৰ্ত্তন কৰোঁতে কৰোঁতে—"উদণ্ড নৃত্যে প্ৰভু কৰিয়া হুঙ্কাৰ। চক্ৰভ্ৰমি ভ্ৰমে যৈছে অলাত আকাৰ ॥ স্তম্ভ স্বেদ পুলকাশ্ৰু কম্প বৈবৰ্ণ। নানা ভাবে বিবশতা ভক্ত হৰ্ষ দৈন্য ॥ আছাড় খাইয়া পড়ি ভূমে গড়ি যায়। স্বৰ্ণ পৰ্ব্বত যেন ভূমেতে লোটায় ॥ কভু স্তম্ভ কভু প্ৰভু ভূমেতে পড়য়। শুষ্ক কাষ্ঠ সম হস্ত পদ না চলয় ॥ কভু ভূমি পড়ে কভু হয় শ্বাসহীন। যাহা দেখি ভক্তগণেৰ হয় প্ৰাণ ক্ষীণ ॥ কভু নেত্ৰে নাসাজল মুখে পড়ে ফেন। অমৃতৰ ধাৰা চন্দ্ৰবিম্বে বহে যেন ॥" এনেকুৱা অৱস্থা সংকীৰ্ত্তনত চৈতন্যদেৱৰ সদায়। শঙ্কৰদেৱৰ সঙ্কীৰ্ত্তন প্ৰগাঢ় ভক্তিপূৰ্ণ অথচ উদ্দাম নহয়। এবাৰ কি দুবাৰ তেওঁৰ সঙ্কীৰ্ত্তনত তেওঁৰ ভকতসকলৰ ভিতৰত দুজন এজনৰ অতিৰিক্ত ভাৱ প্ৰৱণতাত ক্ষণকালৰ নিমিত্তে জ্ঞানশূন্য হোৱা দেখা গৈছিল, কিন্তু তেওঁৰ নহয়। যেনে,—'দিনেক শঙ্কৰদেৱৰ সভাত আছন্ত। মহাৰঙ্গে ৰামদাসে কীৰ্ত্তন কৰন্ত ॥ অমৃত বৰিষে যেন শুনিয়া লোকৰ। প্ৰহ্লাদ-চৰিত্ৰ পদ ঘোষা কীৰ্ত্তনৰ ॥ আনন্দৰ সীমা নাহি প্ৰেম উপজিল। কীৰ্ত্তন সুখত মন সবাৰো মজিল ॥ ঘনে ঘনে আনন্দে কৰয় হৰিধ্বনি। ৰাজনিশা সভা মাজে জ্বলিল অগনি ॥ দপদপ কৰি অগ্নি জ্বলন্তে আছয়। ৰামদাস আতি প্ৰেমযুক্ত আতিশয় ॥ শৰীৰত নাহি অনুসন্ধান তাহান। মুখে গান্ত কীৰ্ত্তন কৰন্ত মনে ধ্যান ॥ যেন প্ৰহ্লাদক হস্তীদন্তে ভেদিলেক। জলে বুৰাইলেক যেন সৰ্পে দংশিলেক ॥ যেন মতে

গ্ৰন্থ গাঁত খানি পুতিলেক। আৰো যেন মতে বিষ পান কৰাইলেক ॥ হাতে গলে বান্ধি অগনিত পেহ্লু্যাইলেক। কীৰ্ত্তন কৰন্তে এহি প্ৰস্তাৱে প্ৰত্যেক ॥ প্ৰেমে পৰশিছে নাহি গাৱত চেতন। অগনিত গৈয়া পৰিলেক তেতিক্ষণ ॥ তাতে পৰি আনন্দতে পদক বোলন্ত। সমস্ত সমাজে হৰি হৰি উচ্চৰন্ত ॥ ধৰঁা ধৰঁা কৰন্ত শঙ্কৰদেৱে চাই। মাধৱে মন্দিৰা থৈলা হাতৰ খসাই ॥ ভালেখিনি ভৈল অগনিত পৰিছন্ন। কতোক্ষণে মাধৱে ধৰিয়া তুলিলন্ত ॥" আৰু এদিন,—"আনন্দে শঙ্কৰদেৱ থাকন্ত সাক্ষাত। মিলে জানা আনন্দ অপৰিমিত তাত ॥ প্ৰেমানন্দ সাগৰত মজি থাকে লোক। একদিন যেন ভৈল তাক শুনিয়োক ॥ কংসবধ যোষা ৰাম ৰাম গুৰু গান্ত। সেহি সময়ত প্ৰেম উপজিল তান্ত ॥ অম্বষ্ঠ সহিতে কুবলয় হাতী মাৰি ॥ ভৈলা ৰঙ্গশালাত প্ৰবেশ ৰাম হৰি ॥ কান্ধত হস্তীৰ দান্ত শিশুগণ সঙ্গে। ওহি পদ ৰামৰাম গুৰু গান্ত ৰঙ্গে ॥ সমস্ত লোকক প্ৰেম পৰশি আছয়। তান গাৱে চেতন গিয়ান নাহিকয় ॥ প্ৰেমানন্দ সমুদ্ৰত মজিল সমূলি। কান্ধত লৈলন্ত এক গোট স্তম্ভ তুলি ॥ স্বভাৱে ৰহিবে দুই মুনিষে পাৰয়। আৰো গোৰ পুতি ঘৰে লগায়া আছয় ॥ এক ঠেলা মাৰি তাক দুই হাতে ধৰি। কৌতুকে কান্ধত লৈয়া যান্ত লীলা কৰি ॥ যেন হস্তী দান্ত কান্ধে লৈয়া ৰাম হৰি। ৰঙ্গশালা প্ৰবেশ ভৈলন্ত লীলা কৰি ॥ সেহিমতে ৰামৰাম গুৰু চলি যান্ত। সৱ লোক ভয় জানো গাৱত পেহ্লান্ত ॥ আথেবেথে মাধৱদেৱে গৈ ধৰিলন্ত। কান্ধৰ নমায়া কতো দূৰত থৈলন্ত ॥" —দৈত্যাৰি।

দুইৰো ধৰ্ম্মৰ এই বিভিন্নতাৰ মানে,—শঙ্কৰদেৱ স্বভাৱতে ধীৰ আৰু গম্ভীৰ; চৈতন্যদেৱ স্বভাৱতে চঞ্চল আৰু Excitable অৰ্থাৎ অলপতে উত্তেজিত হৈ উঠা স্বভাৱৰ। কাৰণ, চেঙেলীয়া ডেকা অস্থিৰ চঞ্চল নিমায়েইতো আদহীয়া চৈতন্যদেৱ। শঙ্কৰদেৱ মাধৱদেৱে বৰ্ণোৱাৰ নিচিনা—সদায় "গহীন গম্ভীৰ ধীৰ ধীৰমতি।" এই কথাৰ পৰা কোনেও যেন নাভাবে, শঙ্কৰৰ কৃষ্ণপ্ৰেম কম আৰু চৈতন্যৰ বেছি। ওপৰত কৈ আহিছো যে শঙ্কৰৰ প্ৰেম সুশৃঙ্খল, চৈতন্যৰ প্ৰেম উচ্ছৃঙ্খল। দুইজনাৰ স্বভাৱ অনুসৰি এই প্ৰভেদ। আৰু এটা কথা, শঙ্কৰ অসমীয়া, চৈতন্য বঙালী। অসমীয়াৰ চানেকী শঙ্কৰ, বঙালীৰ চানেকী চৈতন্য। অসমীয়া জাতি স্বভাৱতে "চেণ্টিমেণ্টেল" (Sentimental) অৰ্থাৎ অতিৰিক্ত ভাৱপ্ৰৱণ নহয় আৰু উত্তেজনীয় (Excitable) নহয়; অসমীয়া "ৰিজাৰ্ভ" (Reserve) অৰ্থাৎ সংযত; বঙালী জাতি স্বভাৱতে উত্তেজনীয় আৰু অতিৰিক্ত ভাৱপ্ৰৱণ। অলপতে বঙালীৰ চকুৰ পৰা পানী ওলায়; অলপতে তেওঁ কৃতজ্ঞ হয়, অলপতে নচানচি কৰে, অলপতে খঙত উত্তলে, হৰ্ষত গদ গদ হয়, ঘৃণাত জৰ্জ্জৰিত হয়, আত্মসংযম পাহৰি যায়। যি বস্তু বেগেতে তপত হয়, সেই বস্তু বেগেতে চেঁচাও হয়। সেইদেখি এযাৰ মিঠা মাততে, এটা মৰমৰ কাৰ্য্যতেই বঙালী পমি পানী হয়। ভাৱপ্ৰৱণ (Sentimental) মানুহৰ স্বভাৱেই এনে। বঙালী জাতিৰ স্বভাৱ বঙালীৰ প্ৰতিনিধি বঙালী ধৰ্ম্মপ্ৰচাৰক চৈতন্য দেৱৰ গাত যে সম্পূৰ্ণৰূপে থাকিব আৰু তেওঁৰ প্ৰচাৰিত ধৰ্ম্মত তাৰ আতিশয্য প্ৰকাশ পাব তাত আশ্চৰ্য্য কি? চৈতন্যদেৱৰ প্ৰতি শঙ্কৰদেৱৰ আকৃষ্ট নোহোৱাৰ ইও এটা ঘাই কাৰণ। চৈতন্যৰ ধৰ্ম্মপ্ৰচাৰত অতিৰিক্ত ভাৱপ্ৰৱণতা, অসংযত আৰু "অনপ্ৰেকটিকেল" অৰ্থাৎ কল্পনাভূয়িষ্ঠ, কিন্তু ফলোপধায়ক নোহোৱা কাৰ্য্য, দেশ কাল পাত্ৰৰ প্ৰতি তাকৰ দৃষ্টি, অদূৰদৰ্শিতা ইত্যাদিয়ে শঙ্কৰদেৱক তাৰপৰা আঁতৰাই থৈছিল; কাৰণ, তেনেকুৱা অতিৰিক্ত ভাৱপ্ৰৱণতা, উন্মত্ততা, বিহ্বলতা শঙ্কৰদেৱৰ স্বভাৱৰ বিৰুদ্ধ। ভাগৱতী বৈষ্ণৱধৰ্ম্ম সৰ্ব্বসাধাৰণৰ ভিতৰত প্ৰচাৰ কৰি তাক স্থায়ী কৰিবৰ নিমিত্তে তেনে প্ৰণালী আৱশ্যক বুলি শঙ্কৰদেৱে নাভাবিছিল।

শঙ্কৰদেৱে সদাচাৰ, সুনীতি, ধৰ্ম্মৰ প্ৰধান অঙ্গ কৰি ৰাখিছিল। মুঠতে ঈশ্বৰত অচলা ভক্তি, নিজৰ জীৱনত পবিত্ৰতা, সদাচাৰ আৰু সংযম, পৰৰে সৈতে ব্যৱহাৰত সত্যপৰায়ণতা, এইবোৰেৰে তেওঁ তেওঁৰ শিষ্য হৰিভকতৰ জীৱন গঠন কৰিছিল। সামাজিক ৰীতি-নীতি ৰক্ষা কৰি চলিও তেওঁৰ প্ৰচাৰিত ধৰ্ম্ম পালন কৰিবলৈ তেওঁ শিষ্যসকলক সুবিধা দিছিল। তেওঁ বুজিছিল যে তেওঁৰ শিষ্যসকল সমাজত প্ৰচলিত ৰীতি নীতিৰ পৰা একেবাৰেই বিছিন্ন হ'লে সমাজৰ পৰা এৰাই পৰি দুৰ্ব্বল হ'ব; সেইদেখি যদিও তেওঁ প্ৰতিমা পূজা কৰা, তীৰ্থ কৰা, শ্ৰাদ্ধ কৰা আদি কাৰ্য্য অসাৰ বিবেচনা কৰিছিল, তথাপি সেইবোৰ উপস্থিত সমাজ-বান্ধনীৰ অঙ্গ প্ৰত্যঙ্গ দেখি তেওঁ একেবাৰেই দলিয়াই নেপেলাইছিল। "তীৰ্থ বুলি কৰে জলত শুদ্ধি। প্ৰতিমাত কৰে দেৱতা বুদ্ধি ॥ বৈষ্ণৱত নাই ইসব মতি। গৰুতো অধম কৃষ্ণ বদতি ॥"—কীৰ্ত্তন। মাধৱৰ বৈনায়েক গয়াপাণিয়ে (পিছত নাম—ৰামদাস) তীৰ্থলৈ যাবলৈ বৰ ইচ্ছা কৰি আছিল; এনেতে তেওঁ শঙ্কৰদেৱক লগ পালে। শঙ্কৰদেৱে "তত্ৰৈব গঙ্গা যমুনাচ তত্ৰ গোদাবৰী সিন্ধু সৰস্বতীশ্চ। সৰ্ব্বাণি তীৰ্থানি বসন্তি তত্ৰ যত্ৰাচ্যুতোদাৰ কথা প্ৰসঙ্গ ॥" শ্লোক পঢ়ি তাৰ অৰ্থ কৰি গয়াপাণিৰ মনৰপৰা তীৰ্থ কৰিবলৈ যোৱা সঙ্কল্প এৰুৱাই তেওঁক বৈষ্ণৱ ধৰ্ম্মত শৰণ দিলে,—"সমস্তে তীৰ্থৰ আশা এৰি সেহিক্ষণে। কৃষ্ণৰ অভয় পদে পশিল শৰণে ॥ শঙ্কৰদেৱেক

গুৰু কৰিয়া নিশ্চয়। তান সঙ্গে আনন্দে ৰহিলা মহাশয় ॥ গয়াপাণি নাম তান দূৰ কৰিলন্ত। ৰামদাস নাম দেৱ শঙ্কৰে দিলন্ত ॥" শঙ্কৰদেৱে দশমত লেখিছে—"যাহাৰ মুখত থাকে হৰি হেন নাম। গঙ্গা গয়া কাশী পুষ্কৰতো নাহি কাম ॥" যদিও তীৰ্থ কৰা সম্পৰ্কে শঙ্কৰদেৱৰ তেনেকুৱা মত আছিল, তথাপি যি তীৰ্থ কৰিবলৈ যায় তেওঁক তেওঁ বাধা নিদিছিল, বৰং নিজেও দুবাৰ তীৰ্থ কৰিবলৈ গৈছিল; কাৰণ সেইটো দেশাচাৰ; আৰু তীৰ্থ ভ্ৰমণত যে শিক্ষা আছে সেইটো তেওঁ নিজৰ জীৱনত ভালকৈ উপলব্ধি কৰিছিল। জাতিভেদ প্ৰথাত যদিও তেওঁৰ আস্থা নাছিল, অভকতীয়া ১* ওখ জাতৰ মানুহতকৈ ভকতীয়া চণ্ডালকো যদিও তেওঁ শ্ৰেষ্ঠ আসন দিছিল ২* তথাপি বিচক্ষণ তেওঁ তাত বেচিকৈ হেচা দি ৰজা প্ৰজা সকলোৰে খং-জুই জ্বলাই, তেওঁৰ জীৱনৰ মহাব্ৰত বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰৰ বাটত দুৰ্ঘোৰ বিঘিনি জন্মোৱাটো উচিত ভবা নাছিল। প্ৰতিমা-পূজাতো যদিও তেওঁ বিশ্বাস নকৰিছিল, তথাপি দেশীয় ৰজাৰ ক্ৰোধ উদ্ৰেক, আৰু বন্ধু বান্ধৱ জ্ঞাতি কুটুম্বসকলৰ আৰু ব্ৰাহ্মণসকলকে আদি কৰি সৰ্ব্বসাধাৰণৰ বিদ্বেষ-বহ্নি উদ্ৰেক নকৰিবলৈ জগন্নাথৰ মূৰ্ত্তি আৰু তেওঁৰ মতাৱলম্বী আন সত্ৰ-বোৰতো কৃষ্ণৰ আন আন মূৰ্ত্তি আন্তৰিক অনিচ্ছা-সত্বেও স্থাপনা কৰি ৰখা হৈছিল। শঙ্কৰদেৱে জানিছিল যে দেশীয় ৰজাৰ আৰু লোকৰ বিদ্বেষ-অনল প্ৰজ্বলিত কৰিলে আৰু দেশ কাল পাত্ৰ বুজি নচলিলে আচল উদ্দেশ্য ঈশ্বৰৰ উপাসনা আৰু ভক্তিমূলক বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰত ভয়ানক ব্যাঘাত ঘটিব। সেইদেখি নৰনাৰায়ণ ৰজাৰ সভাত ব্ৰাহ্মণসকলে গঙ্গা তুলসী ইত্যাদি তেওঁ নামানে বুলি তেওঁৰ ওপৰত অভিযোগ উপস্থিত কৰিলত তেওঁ নিজৰ মূৰৰ শিখাৰ ভিতৰৰ পৰা তুলসীৰ নিৰ্ম্মালি উলিয়াই দেখুৱাইছিল আৰু নিজে গঙ্গাস্নান কৰিবলৈ যোৱাৰ কথা কৈ তেওঁলোকৰ কথাৰ খণ্ডন কৰিছিল। বাস্তৱিকতে তেওঁ এবাৰ শ্ৰাদ্ধ, মূৰ্ত্তিপূজা আৰু ব্ৰাহ্মণৰ দ্বাৰাই প্ৰচাৰিত কৰ্ম্মকাণ্ড একেবাৰেই উঠাই দিবৰ মনেৰে নানা শাস্ত্ৰৰ তত্ত্ব উদ্ধাৰ কৰি এখন শাস্ত্ৰ ৰচনা কৰিছিল, মাধৱদেৱৰ অনুৰোধত হে তেওঁ সেই পুথি নষ্ট কৰিলে।

শঙ্কৰদেৱৰ ধৰ্ম্ম প্ৰচাৰৰ প্ৰণালী সুগঠিত আৰু সুশৃঙ্খলিত আৰু ভক্তজীৱনৰ নিয়ম নীতি সদাচাৰেৰে নিয়মিত বুলি আমি ওপৰত কৈছোঁ। তেওঁ গুৱিৰে-পৰা নামঘৰ, মণিকূট আৰু ভকতৰ হাটী সজাই সত্ৰ-সভা পাতি তিনি-প্ৰসঙ্গৰ নিয়ম বান্ধি দি ধৰ্ম্ম প্ৰচাৰ কৰিছিল। তেওঁ উজনি ভাটি যলৈকে গৈছিল য'তে আছিল, ত'তে এই নিয়মৰ কটকটীয়া বান্ধেৰে কাৰ্য্য কৰিছিল। ভকতসকলৰ ভিতৰত কাৰো, তেওঁ বান্ধি দিয়া নিয়ম আৰু ধৰ্ম্ম প্ৰণালীৰ অলপ লৰচৰ দেখিলে সেইজনক তেওঁ কঠোৰ শাসনলৈ আনিছিল। গুণী ব্যাসকলাই শঙ্কৰদেৱৰে সৈতে গুৱিৰেপৰা থাকি তেওঁৰ ধৰ্ম্ম আশ্ৰয় কৰি আছিল, আৰু শঙ্কৰদেৱৰ প্ৰিয়পাত্ৰ আছিল; কিন্তু এবাৰ তেওঁ শঙ্কৰৰ প্ৰচাৰিত ধৰ্ম্মৰ পৰা অলপ ভৰি পিছলি পৰি নৰীয়া পুতেকৰ অৰ্থে শিৱৰ মন্দিৰত পূজা দিয়াত শঙ্কৰদেৱে তেওঁক একেবাৰেই পৰিত্যাগ কৰিলে। দ্বিতীয়বাৰ শঙ্কৰদেৱে তীৰ্থ কৰিবলৈ যাবলৈ ওলাওঁতে এজন ভকতৰ হাতত এটকা ৰূপ থাকিও, শঙ্কৰদেৱে "তীৰ্থৰ খৰচৰ বাবে জানো তোমাৰ হাতত ধন আছে?" বুলি সোধাত তেওঁ নাই বুলি ক'লত শঙ্কৰদেৱে সেই কথা বিশ্বাস কৰি তেওঁক নিজৰ খৰচতে ঘুৰাই লৈ যাবলৈ স্বীকাৰ কৰি লগত লৈ গৈছিল; পিছত শঙ্কৰদেৱে ভকত-জনৰ হাতত ৰূপ এটকি থকা জানি, আগেয়ে তেওঁ মিছা কথা কৈছিল, এই অপৰাধত তেওঁৰে সৈতে প্ৰায় এমাহ কথা নোকোৱাকৈ আছিল; পিছত ভকতজনৰ হৈ আনে অনেক কাকূতি মিনতি কৰি ক্ষমা প্ৰাৰ্থনা কৰিলত হে শঙ্কৰে তেওঁৰ দোষ

১* "জানিলোঁ ব্ৰাহ্মণ জন্ম, হইবেক নলাগে তাৰ, যিটো কৃষ্ণকথাত ৰসিক।
যৈতে তৈতে হৌক জন্ম, সি সি জন সৰ্ব্বোত্তম, যাৰ শ্ৰদ্ধা হৰি ভকতিত ॥
জাতি কুলাচাৰ ধৰ্ম্মে, কোন কাৰ্য্য সাধিবেক, জ্ঞান কোন কাৰ্য্যত শকত।
অজ্ঞানী অজাতি পাপী, কৃষ্ণক ভজোক মাত্ৰ, তাৰো দৈলে পৰম মহত ॥
.....কৃষ্ণৰ ভকতি আতি, নচাৰে আচাৰ জাতি, জগতৰ মহা হিতকৰ
যেন অমৃতক পাইলে, যেই সেই মতে খাইলে, সবে হোৱে অজৰ অমৰ ॥" —শঙ্কৰদেৱৰচিত দশম।

২* "নচাৰে আচাৰ ধৰ্ম হৰিৰ ভকতি। যেন জানি কৃষ্ণৰ চৰণে দিলোঁ মতি ॥
ব্যাভিচাৰী দুষ্টা যত গোপৰ যুৱতী। তথাপি কৃষ্ণক পাইলে সপ্ৰেম ভকতি ॥
.......শুনিয়োক বৃত্তান্ত অভকত মনুষ্যৰ। ৰান্ধে গৰু মাংস চণ্ডালিনী পুৰা দিয়া ॥
মনুষ্যৰ মুণ্ডে আছা আহাক চাকিয়া। পুছিলন্ত ইন্দ্ৰে আতি দেখি বিপৰীত ॥
আজো কৰি কোন মত আছে বিপৰীত। চণ্ডালিনী বোলে ইন্দ্ৰ কথা মন্ত্ৰ ৰজা ॥
হৰি বিনে যিটো কৰে আন দেৱপূজা। তাৰ চৰণৰ ধূলি পৰিবাৰ ডৰে ॥
জানি আনি দিলোঁ আনি চাকম ওপৰে। হেন শুনি ইন্দ্ৰে তাইক বচনে সাদৰি ॥
ৰথে চৰি লৰি গৈলা আপোন নগৰী ॥" —শঙ্কৰদেৱৰ দশম।

ক্ষমা কৰিছিল। এনেকুৱা অনেক উদাহৰণ আছে। শঙ্কৰদেৱৰ ধৰ্ম্মৰ এনেবোৰ কটকটীয়া বান্ধ, আৰু সি সুগঠিত দেখি মহাপুৰুষীয়া ধৰ্ম্ম আজিলৈকে আসামত সতেজ সবল হৈ আছে, তাৰ কোনো বিশেষ অৱনতি ঘটা নাই। চৈতন্যৰ ধৰ্ম্ম প্ৰচাৰৰ প্ৰণালীত সত্ৰ সভা পাতি সদাচাৰৰ কটকটীয়া নিয়ম প্ৰচলিত নাই দেখি তেওঁৰ পিছৰেপৰাই তাৰ লাহে লাহে অৱনতি ঘটি সি যাইকৈ "নেড়া নেড়ীৰ দলৰ" আৰু জাত হেৰুওৱা "বোষ্টম" ইতৰ লোকৰ ধৰ্ম্ম হৈ পৰিল। চৈতন্য নিজৰ ভাবতে বিভোৰ; তেওঁ কল্পনাত কৃষ্ণসঙ্গজনিত প্ৰেম-সুখৰ সোৱাদ লৈয়েই আৰু লোকক আৰু শিষ্যৰ মুখত কৃষ্ণনাম শুনিয়েই সময় কটাইছিল, ভবিষ্যতৰ চিন্তা অৰ্থাৎ ভবিষ্যতত তেওঁৰ ধৰ্ম্ম আৰু সম্প্ৰদায় টিকিবৰ চিন্তাই তেওঁৰ মন অধিকাৰ নকৰিছিল। সেইদেখি তেওঁ প্ৰচাৰ কৰা ধৰ্ম্মৰ এনে দুৰ্দ্দশা। ধৰ্ম্মপ্ৰচাৰক শঙ্কৰদেৱ "ৰিফৰ্ম্মাৰ" (Refornier) ধৰ্ম্মসংস্কাৰক কিন্তু "প্ৰেক্‌টিকেল ৰিফৰ্ম্মাৰ" (Practical reformer) অৰ্থাৎ দেশ কাল পাত্ৰ আৰু ভবিষ্যত ভাবি চলা ধৰ্ম্ম-সংস্কাৰক। ধৰ্ম্মপ্ৰচাৰক চৈতন্যদেৱ "ৰিফৰ্ম্মাৰ" কিন্তু "অন্‌প্ৰেক্‌টিকেল" অৰ্থাৎ ওপৰত কোৱাটোৰ ওলোটা; আৰু যাইকৈ তেওঁ "ড্ৰিমাৰ" (dreamer) অৰ্থাৎ ভাবাবেশৰ পৰা হোৱা সপোনত কাল কটোৱা লোক আছিল। উন্মাদ বাতুল নিজেহে উন্মাদ বাতুল হয়, তেওঁ লোকক উন্মাদ বাতুল কৰিব নোৱাৰে; আৰু কৰিলেও লোকৰ সেই বাতুলতা চিৰস্থায়ী নহয়। কৃষ্ণপ্ৰেমত উন্মাদ বাতুল চৈতন্য-দেৱৰ ধৰ্ম্মবিহ্বলতাত বাতুলতাৰ আধিক্য, সেইবাবে তেওঁৰ লগে লগে সেই ধৰ্ম্মবিহ্বলতাৰ শাহ গৈ তেওঁৰ পিছত তাৰ বাহকটো মাথোন ৰ'ল, সেইদেখি চৈতন্য প্ৰচাৰিত ধৰ্ম্মৰ আজি এনে দুৰ্গতি। দূৰদৰ্শী জ্ঞানী শঙ্কৰদেৱে তেওঁৰ দিব্যদৰ্শনাতে চৈতন্যৰ ধৰ্ম্মৰ এই দোষ (defect) ভালকৈ বুজিব পাৰি-ছিল, সেইদেখি তাৰ প্ৰতি অলপো তেওঁ আকৃষ্ট নহৈছিল। শঙ্কৰদেৱে নিজে কীৰ্ত্তন দশম আদি অলেখ ধৰ্ম্মশাস্ত্ৰ ৰচনা কৰি তেওঁৰ ধৰ্ম্মৰ সুন্দৰ সুদৃঢ় আকৃতি গঠন কৰি দি গ'ল। চৈতন্যদেৱে তেওঁৰ প্ৰচাৰিত ধৰ্ম্ম বিবৃত কৰি এখন পুথি লেখা নাছিল যি তেওঁৰ ধৰ্ম্মমত সুদৃঢ় কৰি ৰাখে। তেওঁৰ পিছত তেওঁৰ শিষ্য সকলে হে তেওঁৰ ধৰ্ম্ম ব্যাখ্যা কৰিছে। নিজে নিজৰ মত আৰু বিশ্বাসৰ কথা লেখা এক, লোকে লেখা এক। চৈতন্যই তেওঁৰ জীৱনত মাথোন এখন গ্ৰন্থ ৰচনা কৰিছিল, সিও তেওঁৰ জীৱনৰ আগছোৱাত অৰ্থাৎ নিমাই অধ্যাপক অৱস্থাত, আৰু সিও গীতাৰ টীকা, আৰু সংস্কৃতত; শঙ্কৰদেৱে ভুৰি ভুৰি অমূল্য গ্ৰন্থ ৰচনা কৰি অসমক ওখ খাপৰ ধৰ্ম্ম দিলে, অতুল সাহিত্য দিলে, নিৰ্ম্মল চৰিত্ৰ দিলে, সাধু আচাৰ ব্যৱহাৰ দিলে, অসমীয়াক গীত দিলে, বাজনা দিলে, নাট দিলে, ভাৱনা দিলে, মহৎ আদৰ্শ দিলে; মু'তে অসমক সকলোপিনে ধনী কৰিলে। এইজন পুৰুষে আসামক যি দিলে তাৰ ধাৰ আসামে কেতিয়াও শুজিব নোৱাৰে। এইজন পুৰুষে অসমীয়াক যি দি গ'ল, যি উপকাৰ কৰি গ'ল, তাৰ তুলনা পৃথিবীৰ কোনো দেশতে নাই। এইজন পুৰুষক অসমীয়াই মহাপুৰুষ বুলি এক ধনিষ্টামানো অতিৰঞ্জন কৰা নাই। ভাই অসমীয়া! তুমি মহাপুৰুষ শঙ্কৰদেৱক পাই ধন্য হৈছা। তোমাৰ অনেক কালৰ পুণ্যৰ ফলত তুমি শঙ্কৰৰত্ন লাভ কৰিছা; চাবা যেন তুমি এই মাণিকক কাচৰ মোলত নেবেচা!

চৈতন্যৰ ধৰ্ম্মৰ শীঘ্ৰে অৱনতিৰ আৰু এটা কাৰণ, তেওঁ সেই ধৰ্ম্ম অতি সস্তা কৰিছিল। দুই হাত মেলি তেওঁ যাকে তাকে ধৰ্ম্ম বিলাইছিল, তেহেলে সেইজনৰ মনত সেই ধৰ্ম্মৰ প্ৰতি আস্থা থাকক বা নাথাকক। ফলত, তাৰ মূল্য কমি গৈছিল। "বিনামূল্যে বিতৰণ" কৰা বস্তু সোন-কালে অধোগতি প্ৰাপ্ত হয়। বহুমূলীয়া বস্তুকো এনেই বিলাই দিলে সি পাওঁতাজনৰ শ্ৰদ্ধা আকৰ্ষণ নকৰে। খৃষ্টধৰ্ম্ম প্ৰচাৰকসকলে চাৰি-আলিৰ মূৰত বিলোৱা বাইবেল কিতাপ আৰু উপদেশ এশজনৰ ভিতৰত এজনেও পঢ়ে আৰু শ্ৰদ্ধা কৰি শুনে বুলি আমাৰ বিশ্বাস নহয়। "মাৰিলে মাৰিলে কলসীৰ কাণা, তা বলিয়ে কি প্ৰেম দিব না।" এই বুলি চৈতন্যদেৱে জগাই মাধাইক প্ৰেম দিয়াটো অতি ওখ খাপৰ উদাৰতা আৰু প্ৰেম যে তাৰ ভুল নাই; কিন্তু তাৰ আৰু এটা পিঠি আছে, য'ত, "এনে ধৰ্ম্ম এনে প্ৰেম, এই বিষয়-বিষে জৰ্জ্জৰিত Matter-of-fact সংসাৰত নিৰ্ম্মমভাৱে সৰহ দিন নিটিকে," এই বুলি অস্পষ্ট আখৰেৰে লেখা আছে। শঙ্কৰদেৱে যদিও সকলোৰে মাজত তেওঁৰ ধৰ্ম্ম প্ৰচাৰ কৰিছিল আৰু সকলোৱে তাক চুকি পোৱা, বুজি-পোৱা কৰিছিল, তথাপি তাক সতি সস্তা নকৰিছিল; নিয়ম-কানোণ সদাচাৰ সাধুজীৱনৰ বান্ধেৰে তাক ভালকৈ বান্ধি হে তেওঁ বিলাইছিল। আৰু য'ত তাৰ আগ্ৰহ নাই, য'ত তাৰ মোল বুজিবপৰা ক্ষমতা নাই তেনে ঠাইত তাক তেওঁ কেতিয়াও নেপেলাইছিল। চৈতন্যদেৱে সাৰোগত কৰি লোৱা উদাৰ দানৰ ভাব যে তেওঁৰ অন্তৰত নাছিল এনে নহয়, কিন্তু তেওঁ বুজিছিল যে সকলোৱে সেই দান তেনে উদাৰভাৱে গ্ৰহণ কৰিব নোৱাৰে; ফলত, তাৰ আদৰ কমিব; সেইদেখি তেওঁৰ মুকুতাবোৰ তেওঁ মনাহকত বিৰিণাৰ জোপাত সিচি নষ্ট নকৰিছিল; আৰু সেইবাবে তেওঁৰ উদ্দেশ্য সিদ্ধও হৈছিল। বজাই ৰাজ কাৰ্য্যৰ

অনবোধত হাঁহ ছাগ পাৰ বলি দি শক্তিপূজা কৰিবই লাগিব, বৈষ্ণৱৰ সদাচাৰ নীতি পালন কৰিব নোৱাৰি তাৰ অধোগতি নিশ্চয় কৰিব, আৰু ৰজাৰ আহি সকলো দেশতে সকলো ৰজাৰ প্ৰজাই লয় ; গতিকে ৰজাই যেতিয়া তেওঁৰ ধৰ্ম্মৰ ওখ আহিৰ ওখ নীতি আচাৰৰ অপব্যৱহাৰ কৰি তাক তললৈ নমাব, সেই আহিয়ে তেওঁৰ বৈষ্ণৱ প্ৰজাৰ ধৰ্ম্ম আৰু আচাৰকো যে অধোগতি কৰিব এইটো নিশ্চয় ; এই ভাবি তেওঁ নৰনাৰায়ণ ৰজাৰ আদেশ, প্ৰাৰ্থনা, অনুনয়, বিনয় আদি পৰ্য্যন্ত অগ্ৰাহ্য কৰি, আৰু ৰাজগুৰু হোৱা মান সম্পদ ঐশ্বৰ্য্য বিভূতিকো তুচ্ছ জ্ঞান কৰি নৰনাৰায়ণক শিষ্য নকৰি, বৰং সেই মকিল অৱস্থাৰ পৰা সহজে এৰাব নোৱাৰি যোগৰ ইচ্ছামৃত্যু অৱলম্বন কৰিছিল। তেওঁৰ পিছত তেওঁৰ প্ৰিয়শিষ্য মাধৱদেৱেও লক্ষ্মীনাৰায়ণ ৰজা আৰু "আইধাই"ৰ প্ৰাৰ্থনা তেনেকৈ তুচ্ছ কৰি এৰিছিল। শঙ্কৰদেৱে কীৰ্ত্তনত লেখিছে—"নাহিকে শ্ৰদ্ধা নাপাতয় কাণ। তাক যিটো দেয় নামক দান॥ নামৰ দ্ৰোহী নাহি আতপৰে। ভুঞ্জাইবে যাতনা যম কিঙ্কৰে॥" তেওঁৰ ধৰ্ম্ম প্ৰচাৰত এই মূল মন্ত্ৰ আছিল। তেওঁৰ নাম-ধৰ্ম্ম-কল্পতৰু আছিল, সেইদেখি সেই বৃক্ষৰ স্বভাৱ তেওঁৰ জীৱনত দেখা গৈছিল। "কল্পতৰু বৃক্ষ যেন সবাতো সমান। মাগন্তাজনক মাত্ৰ দেয় ফল দান॥ নামাগিলে ফল কাকো যাচি নেদে গাছে।" বৈকুণ্ঠৰ কল্পতৰুৰ এই ভাব আসামৰ কল্পতৰু শঙ্কৰৰ ভাবৰ আহি।

আসামত চৈতন্য পন্থী মত লাহে লাহে কেনেকৈ সোমাল তাৰ বিষয়ে আমি ওপৰত উনুকিয়াই আহিছোঁ। এইখিনিত ইয়াকে মাথোন কওঁ, যে শঙ্কৰদেৱ থাকোঁতেই ভাটীৰ আসামত দুজন চাৰিজন মানুহে চৈতন্য-পন্থী দীক্ষা লৈছিল, আৰু শঙ্কৰদেৱে তেওঁলোকৰ কাকো কাকো সেই মত এৰুৱাই মহাপুৰুষীয়া কৰিছিল। শঙ্কৰদেৱৰ মৃত্যুৰ পিছত মাধৱদেৱ শঙ্কৰদেৱৰ উত্তৰাধিকাৰী ধৰ্ম্মাধিকাৰ হ'নত মাধৱদেৱৰ সমনীয়া কোনো কোনো শঙ্কৰদেৱৰ শিষ্য ধৰ্ম্মাচাৰ্য্য সেই কথাত অসন্তুষ্ট হৈ, আৰু শঙ্কৰদেৱে তেওঁৰ পিছত তেওঁলোকক প্ৰধান ধৰ্ম্মাধিকাৰ নাপাতি মাধৱদেৱক পতা বাবে তেওঁলোকৰ খং উঠি, তেওঁলোকে মহাপুৰুষীয়া ধৰ্ম্ম অস্বীকাৰ কৰি নিজক স্বাধীনভাৱে ধৰ্ম্মপ্ৰচাৰক বুলি প্ৰকাশ কৰিলে। আৰু তেওঁলোকৰ কোনো কোনোৱে নিজৰ গুৰি শকত কৰিবৰ মনেৰে চৈতন্যৰপৰা তেওঁলোকে ধৰ্ম্ম পাইছে বুলি ক'লে ; আৰু কোনো কোনোৱে চৈতন্যপন্থী ধৰ্ম্ম গুৰুৰ ওচৰত দীক্ষাও লৈ ধৰ্ম্মাচাৰ্য্য হ'ল। এইদৰেই আসানত চৈতন্যপন্থী সম্প্ৰদায়ৰ আৱিৰ্ভাৱ হ'ল। * কিন্তু যেয়ে যিহকে কওক, এইটো নিশ্চয় যে সেই কালত আসামত শঙ্কৰদেৱৰ বাহিৰে বৈষ্ণৱ-ধৰ্ম্ম প্ৰচাৰক আন কোনো নাছিল। "শঙ্কৰেসে আদিমূল ভক্তিৰ লক্ষণ॥"—সাৰ্ব্বভৌম ভট্টাচাৰ্য্য। চৈতন্যদেৱ আসামলৈ কেতিয়াও অহা নাছিল ; তেওঁ যলৈকে গৈছিল তাৰ উল্লেখ তেওঁৰ জীৱনচৰিত্ৰ পুথিত স্পষ্টকৈ লেখা আছে ; তাত চৈতন্যদেৱৰ আসামলৈ কেতিয়াবা অহাৰ নাম-গোন্ধও নাই।

সামৰণিত আমি ইয়াকে কওঁ যে, শঙ্কৰদেৱৰ জীৱনী শঙ্কৰদেৱে নিজে ৰচনা কৰি গৈছে। তেওঁৰ দেশ-জোৰা ইমানবোৰ কীৰ্ত্তি কলাপ, ইমানবোৰ গ্ৰন্থ, ইমানবোৰ ৰচনাই তেওঁৰ সম্পূৰ্ণ জীৱনী। কোনো লোকৰ মৃত্যুৰ পিছত তেওঁৰ জীৱন-চৰিত লেখকৰ বৰ্ণনা সৰহ ভাগ প্ৰকৃত বৰ্ণনা নহয়, হ'ব নোৱাৰেও ; কাৰণ চৰিত্ৰ লেখকৰ মনত, যাৰ তেওঁ চৰিত্ৰ লেখে সেইজনৰ কাৰ্য্যকলাপাদি যেনে প্ৰতিভাত হয় যেনেকৈ তেওঁ বুজে তেনেকৈহে তেওঁৰ দ্বাৰাই চিত্ৰিত হয়। তেওঁৰ নিজৰ সংস্কাৰ, চিন্তাৰ গঢ়, ভাল-পোৱা, বেয়া-পোৱা আদিৰ ছাঁ সেই চিত্ৰত পৰিবই পৰিব। সেই বাবেহে আমি একেজন পুৰুষৰে চৰিত্ৰ দুজন লেখকৰ হাতত দুই প্ৰকাৰ দেখিবলৈ পাওঁ। তেওঁলোকে ইচ্ছা কৰি যে তেনে কৰে এনে নহয়, কিন্তু তেওঁলোকৰ পুথি তেওঁলোকৰ মানসপত্ৰ, সেইদেখি তেওঁলোকৰ নিজৰ স্বভাৱ-চৰিত্ৰৰ গঢ়-পিট তাত সৰহকৈ থাকিবই। এই বাবেহে আমি এক নেপলিয়ন বোনাপাৰ্টৰে চৰিত্ৰ তেওঁৰ জীৱনী লেখক এবটৰ হাতৰপৰা এক ৰকম পাইছোঁ, আৰু উল্‌চি আদিৰ হাতৰপৰা এক ৰকম পাইছোঁ। শঙ্কৰদেৱে ভাত খোৱা শাক খোৱা কথাৰ বিৱৰণ আৰু তাৰ মিল অমিলত বেছি হৰণ-ভগণ কি ? আৰু তেনেবোৰ কথা লৈ খৰিয়ালৰে বা আৱশ্যকতা কি ? তেওঁৰ জীৱনৰ প্ৰকৃত সাৰ কাৰ্য্য, যি কাৰ্য্যই আচলতে তেওঁৰ জীৱনী (কাৰণ, কাৰ্য্যৰ সমষ্টিহে মানুহৰ জীৱন-চৰিত) সেই জীৱন-চৰিত তেওঁ নিজহাতে ইমান ৰহলাই ৰচনা কৰি গৈছে, যে আমালৈ তেওঁ একো বাকী থৈ যোৱা নাই। এতিয়া আমাক লাগে চকু, যাৰ দ্বাৰাই সেই বিস্তৃত জীৱনী পঢ়িব পাৰো, লাগে মগজু আৰু বুদ্ধিৰ বিকাশ, যাৰ দ্বাৰাই তাক বুজিব পাৰো ; লাগে মনত সততা আৰু দৃঢ়তা, যাৰ দ্বাৰাই সেই মহাপুৰুষৰ মহাজীৱনীৰ অক্ষয় ভাণ্ডাৰৰপৰা আমাৰ জীৱন গঢ়িবৰ নিমিত্তে সমলনি গোটাই আমি মনুষ্যজনম সফল কৰিব পাৰো।

* "কলংগৰ কোমোৱা অদ্বৈতবংশী কাশ্যপ গোত্ৰীয় এজন গোস্বামী নবদ্বীপৰপৰা আহি কামৰূপত [illegible] হৈ বসতি কৰে। তেওঁৰেই ইয়াত চৈতন্য পন্থা প্ৰচাৰ কৰে। বৰ্ত্তমান দলবাৰী সত্ৰ, গড়েলী সত্ৰ আদি চৈতন্য পন্থী আৰু সেই সত্ৰৰ গোস্বামীসকল অদ্বৈতবংশীয়।" —আসাম-বান্ধৱ। ৩য় বছৰ, ৩৪ সংখ্যা।

মহাপুৰুষ

শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ

পাতনি

মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সুদীৰ্ঘ জীৱনৰ ঘটনা আৰু কাৰ্য্যবোৰ সকলোৱে জানিবৰ সুবিধা যাতে হয়, সেই আশা কৰি আমি এই কিতাপখন ৰচনা কৰিলোঁ। আমি দেখিছোঁ যিসকলে এই মহাপুৰুষ দুজনৰ বিষয়ে অলপ জানে তেওঁলোকৰ সৰহ ভাগেও অনেক বিষয়ত প্ৰকৃত ঘটনা ভালকৈ নাজানি, কোনো চৰিত্ৰলিখকে স্বাৰ্থ সিদ্ধিৰ নিমিত্তে বিকৃত কৰি লিখা কথাবোৰ সত্য বুলি ধৰি লয়। যি যাৰ জীৱন-চৰিত্ৰ লেখে লেখকজন সেইজনৰ প্ৰতি শ্ৰদ্ধাবান নহলে, তেওঁ লেখা কথাত প্ৰাণ নাথাকে; কাৰণ তেওঁৰ বিচাৰ বিবেচনা আৰু দৃষ্টি সেইজনৰ ওপৰত প্ৰায়ে বেকা হৈহে পৰে। যি জনৰ বিষয়ে তুমি লিখিবলৈ গৈছা, সেই জনৰ প্ৰকৃত চিত্ৰ আঁকিবলৈ হ'লে, তুমি সেইজনৰ মনোৰাজ্যত যিমান দূৰ সাধ্য প্ৰবেশ কৰি সেইজনৰ ভাৱ আৰু কাৰ্য্যৰ প্ৰকৃত মৰ্ম্মৰ দ্বাৰাই অনুপ্ৰাণিত হৈ তন্ময় তদ্‌গদ হৈ নগ'লে, তেওঁৰ প্ৰকৃত পট তুমি কেতিয়াও আঁকিব নোৱাৰা। এই কথাৰ প্ৰমাণ অনেক দিব পাৰি। আমাৰ আগেয়ে ৰচিত "শঙ্কৰদেৱ" কিতাপতো এই কথা আমি কৈছোঁ। ইয়াতো তাৰ চমু উল্লেখ কৰোঁ। অধিকাংশ ইংৰাজ লেখকে নেপোলিয়ান বোনাপাৰ্টৰ জীৱনৰ চিত্ৰ আঁকিবলৈ গৈ নেপোলিয়ানক বিকৃত কৰি পেলায়, তাৰ কাৰণ, অধিক ভাগ ইংৰাজে তেওঁলোকৰ চিৰ শত্ৰু নেপোলিয়নক শ্ৰদ্ধা ভক্তিৰ চকুৰে চাব নোৱাৰে; সেইদেখি তেওঁলোক যিমানকে বিচক্ষণ বিজ্ঞ আৰু বিদ্বান হওক নেপোলিয়ানৰ কাৰ্য্যকলাপৰ মৰ্ম্মস্থলত প্ৰবেশ কৰিব নোৱাৰে। সেই নিমিত্তে ডাক্তৰ জনচনক বুজি তেওঁৰ প্ৰকৃত চিত্ৰ আঁকিবলৈ বচুৱেলক লগা হয়, গ্লেডষ্টোনক আঁকিবলৈ জন মৰলিক লগা হয়। পিতৃ-মাতাৰ মহত্ব, মহানুভৱতা, অন্তৰৰ কমনিয়তা, উদাৰতা, সন্তানৰ বাহিৰে কোনে সুন্দৰকৈ সৰ্ব্বতো-ভাৱে প্ৰকৃতৰূপে বুজিব? তেওঁৰ বিৰুদ্ধপক্ষীয়জনেতো বুজা দূৰত থাওক, সৰহখিনি সময়ত হালধীয়া, বা নীলা, বা ক'লা খিড়-চকু পিন্ধিহে সেইজনে তেওঁৰ ফালে চাব। নন্দদুলালক নন্দ যশোদাই, বৃন্দাবনচন্দ্ৰক গোপ-গোপীয়ে, শ্ৰীকৃষ্ণক পাণ্ডৱে যেনেকৈ বুজিব, অঘ বক ধেনুক বা শিশুপাল দুৰ্য্যোধনে তেনেকৈ বুজিব নে? সেইদেখি ৰাধা কৃষ্ণক বুজিবলৈ জয়দেৱ, বিদ্যাপতি, চণ্ডীদাস, গোবিন্দদাসক লাগে; চৈতন্যক বুজিবলৈ কৃষ্ণদাস কবিৰাজ আৰু বৃন্দাবনদাসক লাগে; শঙ্কৰদেৱক বুজিবলৈ মাধৱদেৱক আৰু নাৰায়ণ ঠাকুৰক লাগে; মাধৱদেৱক বুজিবলৈ মথুৰাদাস আৰু বদুলাআতাক লাগে; আৰু শ্ৰীমদ্ভাগৱত বুজিবলৈ ব্যাসদেৱ আৰু শুকদেৱক লাগে। যি জনক বা যি বিষয়টোৰ প্ৰকৃত মৰ্ম্ম বুজিব খোজা, সেই জনৰ বা সেই বিষয়ৰ প্ৰতি তোমাৰ প্ৰকৃত শ্ৰদ্ধা আৰু ভক্তি নহ'লে, তাৰ মৰ্ম্মত প্ৰবেশ কৰি তাক ঠিককৈ কেতিয়াও বুজিব নোৱাৰা এইটো নিশ্চয়। এই কাৰণেহে শ্ৰীমদ্ভাগৱত বুজাৰ সম্পৰ্কে ব্যাসদেৱে কৈছিল "ভক্ত্যা ভাগৱতং বেত্তি ন বুধ্যা নচ টীকয়া।"

ওপৰৰ কথাৰ দ্বাৰাই আমি এনেটো কৈছোঁ বুলি যদি কোনোবাই ভাবে যে আমিহে শঙ্কৰদেৱ মাধৱদেৱক বুজিছোঁ আৰু সেই কাৰণেহে আমি তেওঁলোকৰ চৰিত্ৰ লিখিবলৈ নিজক যোগ্য বিবেচনা কৰিছোঁ, তেন্তে নিশ্চয় নিশ্চয় আমাৰ প্ৰতি সেই জনে অন্যায় কৰিব। আমাৰ কোৱাৰ মানে এইটোহে যে যি বিষয়ৰে যিজনে পট আঁকিবলৈ যাব, সেই বিষয়ত তেওঁ শ্ৰদ্ধাবান হৈ মন প্ৰাণ সমৰ্পণ কৰি নালাগিলে সেই পট প্ৰকৃত নহৈ বিকৃত হয়। সেই বিষয়ৰ বিৰুদ্ধভাবাপন্ন জনৰ হাতত তাৰ Spirit অৰ্থাৎ প্ৰাণ ধৰা নপৰে, তেনে কাম তেওঁৰ পৰা অসাধ্য।

মহাপুৰুষ শঙ্কৰ মাধৱৰ চৰিত্ৰ পুথি কেইখনো পঢ়ি মিলাই, আৰু মহাপুৰুষীয়া সত্ৰৰ সন্ত সাধুসকলৰ মুখে মুখে প্ৰচলিত হৈ অহা চৰিত্ৰ, আৰু ঘাইকৈ পিতৃদেৱ দীননাথ বেজবৰুৱাৰ মুখে শুনা চৰিত্ৰৰ যি মনত আছিল সেইবোৰো শুঁৱৰি জুকিয়াই লৈ এই চৰিত্ৰৰ কিতাপখনি আমি ৰচনা কৰিছোঁ। সন্ত সাধুৰ গ্ৰহণীয় পূৰ্ব্বাপৰ প্ৰচলিত কথাহে ইয়াত দিয়া হৈছে, লোকৰ বা কোনো বিশেষ সম্প্ৰদায়ৰ মনতুষ্টিৰ কাৰণে আমি লক্ষ্য ৰখা নাই বা ৰাখিবৰ ইচ্ছাও কৰা নাই; কাৰণ সত্য গোপন বা সত্যৰ অপলাপত আমাৰ স্বাৰ্থ নাই, আৰু নাৰাখোঁও। মহাপুৰুষসকলৰ চৰিত্ৰ সকলোৰে মাজত প্ৰচাৰ হওক, তেওঁলোক কেনে আছিল, তেওঁলোকে কি কৰিছিল, আৰু ভৱিষ্যতলৈ কি কৰি গ'ল, অসমীয়াই তেওঁলোকৰ পৰা কি পালে, ইত্যাদি কথা হে সৰ্ব্বসাধাৰণৰ আগত আৰু ঘাইকৈ অসমীয়াৰ আগত প্ৰচাৰ কৰা আমাৰ মুখ্য লক্ষ্য, কোনো সম্প্ৰদায়ক ডাঙৰ বা কোনো সম্প্ৰদায়ক সৰু কৰা আমাৰ উদ্দেশ্য নহয়।

শঙ্কৰদেৱো আমাৰ, মাধৱদেৱো আমাৰ, দামোদৰদেৱো আমাৰ, বংশীগোপালদেৱো আমাৰ, হৰিদেৱো আমাৰ। আমাৰ এওঁলোক বৰেণ্য, পূজ্য, শ্ৰেষ্ঠ, "মহতোৰ্মহীয়ান"। এওঁলোকক লৈয়েই আমি আজি ধনী। এওঁলোকৰ কৃপাতেহে আমি ধৰ্ম্ম, কৰ্ম্ম, নীতি, সদাচাৰ, মনুষ্যত্ব আৰু আমাৰ সাহিত্য পাইছোঁ। এওঁলোকৰ আবিৰ্ভাৱত অসমীয়া জাতিয়ে বিনাশৰ হাতৰপৰা উদ্ধাৰ পালে। এতেকে এওঁলোকৰ চৰণত আমাৰ লক্ষ কোটি প্ৰণাম। কিন্তু সত্যৰ অপলাপ আমাক নালাগে। আকাশ খহি পৰক, হানি নাই, কিন্তু সত্য সূৰ্য্যৰ দৰে অটুট হৈ থাকক। উঠি অহা, উদাৰ শিক্ষা পোৱা, অসমীয়া ডেকাসকলৰ পৰা ঘাইকৈ আমাৰে এইখিনি কৰ্ত্তব্য আশা কৰে। সত্য আৰু কৰ্ত্তব্যৰ গৌৰৱ অক্ষুণ্ণ থাকক, ভয় নাই, আকৌ আমি মুখি মানুহ-সুৱা হৈ উঠিম নিশ্চয় নিশ্চয়।-

চোৱাচোন, শঙ্কৰদেৱৰ কি ন্যায়নিষ্ঠা, স্বাৰ্থত্যাগ আৰু স্বধৰ্মত ৰতি। তেওঁ শিৰোমণি ভূঞা, ৰজাৰ নিচিনা তেওঁৰ ক্ষমতা, ঐশ্বৰ্য্য, দাস, দাসী, সম্পদেৰে তেওঁ পৰিবৃত। তেওঁৰ কিহৰ অভাৱ আছিল যে এনে সুখ সম্পদ সমুহৰ জীৱন তেওঁ তৃণৱৎ পৰিত্যাগ কৰি বিপদসঙ্কুল ধৰ্ম্ম প্ৰচাৰকৰ জীৱন অৱলম্বন কৰি দুখীয়া ছাল-ছিগা ভিকহু সৰ্ব্বজয়, বলোৰাম, পৰমানন্দৰ নিচিনা ভকতক বুকুত বান্ধি লৈ ঘূৰি দাৰিদ্ৰ্যৰ কঠোৰ অৱস্থাক আলিঙ্গন কৰি, নিজে দৃঢ় বিশ্বাস কৰা ধৰ্ম্মক পৰৰ উপকাৰৰ নিমিত্তে এনে কঠোৰ ব্ৰত অৱলম্বন কৰিছিল। ভাৰতবৰ্ষত ৰাজপাট আৰু সাংসাৰিক সুখসম্পদ বিসৰ্জ্জন দিওঁতা এক সিদ্ধাৰ্থ গৌতম বুদ্ধৰ বাহিৰে এনে দৃষ্টান্ত কেইটা আছে? বুদ্ধৰে সৈতে হে আমাৰ শঙ্কৰদেৱৰ তুলনা হয়। আৰু কেনে সময়ত শঙ্কৰদেৱে এই বিপদৰ জীৱন অৱলম্বন কৰিছিল ভাবি চাইছেনে? আজি কালি পাশ্চাত্য উদাৰ সভ্যতাৰ পোহৰত ধৰ্ম্মমতৰ সম্পূৰ্ণ স্বাধীনতা প্ৰদানকাৰী ৰজাৰ শান্তি-ছায়াত বহি আমি নিৰ্ভয়ে নিৰ্ব্বিবাদে শিলগুটি, গছ, সাপ, বাঘ পূজাৰে পৰা আৰম্ভ কৰি একমেবাদ্বিতীয়ং নিৰাকাৰ পৰমব্ৰহ্মলৈ নিৰ্ব্বিঘ্নে পূজা কৰিব পাৰোঁ, সেই পূজাৰ গুণ গৰিমা, ঘৰৰ চালৰ মূধত উঠি বিৰিঙিয়াই প্ৰচাৰ কৰি লোকক আমাৰ মতলৈ আনিবলৈ প্ৰাণপণে চেষ্টা কৰিব পাৰোঁ, আৰু ভেটিয়াই নামি আহি এপেটকৈ খাই নিৰ্ভয়ে কন্তি ভুৰি কোচ্ কোচ্ কৰে শুই থাকি পিছ দিনা পুৱা উঠি খবৰৰ কাকতত আমাৰ সুখ্যাতি আৰু ফাটিবোৱা নাম দেখি সন্তোষ লভিব পাৰোঁ; কিন্তু শঙ্কৰদেৱে যি সময়ত যি ৰজাৰ ৰাজ্যত বাস কৰি, পৰাক্ৰমী স্বেচ্ছাচাৰী ৰজা আৰু অসূয়াপৰৱশ পৰাক্ৰমী পণ্ডিত ব্ৰাহ্মণৰ বিৰুদ্ধবাদী হৈ তেওঁৰ ধৰ্ম্মমত নিৰ্ভয়ে প্ৰচাৰ কৰি আঁচলৰ গাঁঠিত তেওঁৰ জীৱনটো বান্ধি লৈ ফুৰাইছিল, সেইটো সম্পূৰ্ণ অনুভৱ কৰিব পাৰিলেহে তেওঁৰ স্বাৰ্থত্যাগ, নিৰ্ভীকতা, ধৰ্ম্মপ্ৰাণতা আৰু ঈশ্বৰবিশ্বাসত অটল নিষ্ঠা আৰু তেওঁৰ প্ৰাণৰ আৰাধ্য দেৱতাত অচলা ভক্তিৰ সম্পূৰ্ণ মহত্ব হৃদয়ঙ্গম কৰিব পাৰিবা, নতু নোৱাৰা। চোৱাঁচোন, মাধৱদেৱৰ কি স্বাৰ্থত্যাগ, কি গুৰুত অচলা ভক্তি. কি বিষয় সুখত বিৰাগ ভাব। যি দিনাই তেওঁ শঙ্কৰদেৱৰ ওচৰত শৰণ ললে, কৃষ্ণত আত্মসমৰ্পণ কৰিলে, সেই দিনাই তেওঁ পাৰ্থিব সুখ সম্পদলৈ পিঠি দিলে, জোৰোণ পিন্ধাই থোৱা কন্যা পৰিত্যাগ কৰিলে। তেওঁৰ মৃত্যুভয় গুচিল, যমে তেওঁৰ ওপৰত প্ৰভুত্ব কৰিব নোৱাৰি তেওঁৰ কিঙ্কৰত্ব স্বীকাৰ কৰিলে। আসামৰ ৰজাই তেওঁক শঙ্কৰদেৱৰ জোৱাঁয়েক হৰিৰে সৈতে কটাবলৈ ধৰাই নিয়ালে, তেওঁৰ মনত চিন্তাৰ লেশ মাত্ৰ নাই, তেওঁ ঈশ্বৰৰ চৰণত আত্ম-সমৰ্পণ কৰি নিৰ্ভয় হৃদয়ে হৰিক বুজাই হৰিৰ মন হৰিত দৃঢ় কৰি দি ৰজাৰ আগত হাজিৰ হলগৈ। হৰিক চাণ্ডালে কাটিবৰ সময়তো মাধৱে হৰিৰ ওচৰত থিয় হৈ হৰিক সাহ দি ঈশ্বৰ একমাত্ৰ শাশ্বত, সংসাৰ অশাশ্বত, এই শিক্ষাৰ ভটীমা, নামহে সোঁৱৰা-বলৈ ধৰিলে, বিপদৰ ভয় তেওঁৰ ওচৰত নাই। মাধৱদেৱে ভটীয়াই বাওঁতে নাৱত দুজন ভকতলৈ ঠাই নোহোৱা দেখি নিজৰ সৰ্ব্বস্ব পানীত পেলাই দি ঠাই উলিয়াই ভকত দুজনক নাৱত তুলি ললে। আকৌ চোৱাঁচোন, দামোদৰদেৱৰ ঈশ্বৰত কি বিশ্বাস, কেনে তেওঁৰ ইষ্টদেৱতা কৃষ্ণত অব্যভিচাৰী ভক্তি। পৰীক্ষিত ৰজাই তেওঁক ধৰাই বিচাৰলৈ লৈ যাবলৈ মানুহ পঠিয়াই দি তেওঁক কোৱালে, তেওঁ যদি বলি কাটি দেৱী পূজা কৰে, তেন্তে তেওঁক ক্ষমা কৰিব। দামোদৰদেৱৰ উক্তিত কি তেজ, তেওঁ অৱলম্বিত ধৰ্ম্মমতত কি অচলা ভক্তি, কি অটল নিষ্ঠা। তেওঁ উত্তৰ দিলে—"যদি বলিৰ ছাগৰ ডিঙিটো তলত থৈ তাৰ ওপৰত তেওঁৰ ডিঙিটো ৰাখি ৰজাই কটায়, তথাপি তেওঁ বলি নাকাটে, দেৱী পূজা নকৰে।" দামোদৰদেৱৰ ডাঙৰ ডাঙৰ শিষ্যসকলে তেওঁক ক'লে "আপুনি বলি কাটি পূজা কৰিব নালাগে, আমিয়েই আপোনাৰ হৈ তেনে কৰিম, তথাপি আপুনি আত্মৰক্ষাৰ্থে যত্ন কৰক।" এই কথা শুনি দামোদৰদেৱে ভূমি চুই কৰ্ণত হাত দি কেনে উত্তৰ দি শিষ্যসকলক তিৰস্কাৰ কৰিলে সেই কথা পঢ়িলে শৰীৰ ৰোমাঞ্চিত হয়, লোতকত তনু তিতে।

পাতনিত ক'বলৈ অনেক কথা আছে, কিন্তু সেই এটাইবোৰ ক'বলৈ গ'লে পাতনিৰ আকাৰ অনেক বাঢ়ে; সেইদেখি দুটা এটা কথাৰ বিষয়ে দুষাৰ এষাৰ কৈ সামৰণি মাৰিম। আন প্ৰদেশৰ ধৰ্ম্মপ্ৰচাৰকৰ সম্পৰ্কে এই গ্ৰন্থত উল্লিখিত কোনো কোনো ঘটনা বা বৃত্তান্ত সময়ৰ হিচাপত সেই সেই ঠাইত প্ৰচলিত বা বৰ্ণিত থকা ঘটনা বা বৃত্তান্তৰ সময়ৰ হিচাপেৰে সৈতে অমিল হয় যদিও, আমি কিন্তু তালৈ বিশেষ লক্ষ্য নাৰাখি, আসামত স্বাধীনভাৱে সেইসকলৰ সম্পৰ্কে প্ৰচলিত বা জ্ঞাত থকা প্ৰকাৰেহে সেইবোৰ এই গ্ৰন্থত সন্নিবেশিত কৰিছোঁ। তাৰ কাৰণ এই যে, এই গ্ৰন্থোল্লিখিত আন আন দেশৰ ধৰ্ম্ম প্ৰচাৰকসকলৰ সম্পৰ্কে সময় বিষয়ত সেই সেই দেশতে যে সেইবোৰ নিঃসন্দেহ ৰূপে স্থিৰীকৃত হৈছে এনে নহয়। উদাহৰণ স্বৰূপে কওঁ, ৰামানন্দ—ৰামানুজৰ শিষ্য পৰম্পৰাত চতুৰ্থ বুলি নিৰ্দ্দিষ্ট হৈছে। শকাব্দৰ একাদশ শতিকাৰ মাজ ভাগৰত ৰামানুজ আচাৰ্য্য বিদ্যমান আছিল। তেনেহলে দ্বাদশ শকাব্দৰ মাজ ভাগৰত ৰামানন্দ বৰ্ত্তমান থকাটো সম্ভৱ হয়। কিন্তু ৰামানন্দৰ শিষ্য কবীৰা শকাব্দৰ চতুৰ্দ্দশ শতিকাৰ মাজ ভাগত প্ৰাদুৰ্ভূত। সেইদেখি কবীৰাৰ গুৰু ৰামানন্দ স্বামীৰও সেই শতিকাৰ আৰম্ভত, নতুবা তাৰ অলপ আগতে জীয়াই থকাটো হে সম্ভৱ। এইদেখি ৰামানন্দ ৰামানুজৰ শিষ্য পৰম্পৰাৰ ভিতৰত চতুৰ্থ বুলি থিৰ হ'লে, যি সময়ত তেওঁ বিদ্যমান থকা অসম্ভৱ সেইটো যুক্তিসিদ্ধ নহয়। এই নিমিত্তে ৰামানন্দ ৰামানুজৰ শিষ্য পৰম্পৰাৰ ভিতৰৰ হয় নে নহয় সন্দেহৰ স্থল।

আৰু চোৱাঁ, কবীৰ পন্থীসকলে কয় যে কবীৰা ১২০৫ সংবতৰ পৰা ১৫০৫ সংবতলৈকে তিনি শ বছৰ জীয়াই আছিল। "সংবৎ বাৰহসৱে ও পাঁচ মেঁ জ্ঞানী কিয়ো বিচাৰ। কাশীমাঁহি প্ৰগটভয়ৌ শব্দকহৌ টকসাৰ।। সংবৎ

পঁদৰহ স বে ঔ পঁচ বোঁ মগৰকিয়ো গৱন। অগহন্ সুদি বেকাদশী মঁলে পৱন সোঁ পৱন।" টোৰ অৰ্থ—১২০৫ সংবতত জ্ঞানী কবীৰাই বিচাৰ কৰি দেখিলে আৰু কাশীত আবিৰ্ভূত হৈ টক্‌সাৰ শাস্ত্ৰ প্ৰকাশ কৰিলে। ১৫০৫ সংবতত মগৰলৈ যোৱাত আঘোণৰ একাদশীত পৱনত পৱন মিলিল। কিন্তু মানুহৰ তিনিশ বছৰ পৰমায়ু হোৱাটো সম্ভৱ নহয়। নানকৰ গ্ৰন্থতো কবীৰাৰ বচন উদ্ধৃত আছে। ১৫৪৬ সংবতত নানকে স্বমত প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰে। চেকন্দৰ লোডিৰ আগত কবীৰাৰ বিচাৰ হোৱাৰ কথা প্ৰচলিত আছে। চেকন্দৰ ১৫৪৪ বা ১৫৪৫ সংবতত ৰজা হয়। ইত্যাদি কাৰণত সংবৎ অব্দৰ পঞ্চদশ শতিকাৰ মাজ ভাগত ৰামানন্দ স্বামীৰ আবিৰ্ভাৱ হৈছিল যেন অনুমান হয়।

আমাৰ আসামৰ চৰিত্ৰ পথিৰ বিৱৰণ মতে শঙ্কৰদেৱে সশিষ্যে দ্বিতীয় বাৰ তীৰ্থলৈ যাওঁতে কবীৰাৰ সৈতে তেওঁলোকৰ দেখা হৈছিল, আৰু কবীৰাৰ সমাধিস্থান তেওঁলোকে দৰ্শন কৰি, শঙ্কৰদেৱে নাতিনীয়েকৰ মুখৰপৰা কবীৰাৰ মৃত্যুৰ সকলো বাতৰি শুধি জানি লৈছিল। শঙ্কৰদেৱে কবীৰাৰ প্ৰতি প্ৰগাঢ় ভক্তি দেখুৱাইছিল আৰু শিষ্যসকলকো সেই সমাধিত ভক্তিভাৱে সেৱা কৰিবলৈ কৈছিল। ইয়াৰপৰা শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থলৈ আহোঁতে কবীৰাক লগ পাইছিল যেন অনুমান হয়।

ৰূপ সনাতনৰ সম্পৰ্কে কথাও বঙ্গদেশত প্ৰচলিত কথাৰে নিমিলে। বঙ্গদেশত আজি-কালি প্ৰচলিত আৰু স্থিৰীকৃত কথাৰ যে সমূলি আসোঁৱাহ মৰিছে এনে নহয়; আৰু তেওঁলোকৰ বোলেই হে যে অকাট্য, আমাৰবোৰ কাল্পনিক, ক্ষুদ্ৰ জ্ঞান লৈ এনে সিদ্ধান্ত কৰিবলৈ আমাৰ সাহ নাই।

কিতাপখন অকল আজিকালি ইংৰাজীত শিক্ষিত পাশ্চাত্য ভাবাপন্নসকলৰ নিমিত্তে হে যে যুগুত কৰা হৈছে এনে নহয়; নব্য পুৰণি ভকত অভকত সকলোৰে নিমিত্তে লেখা হৈছে।

মাজে মাজে ইয়াত যিবোৰ অলৌকিক কথাৰ বিৱৰণ দিয়া হৈছে, সেইবোৰ যিসকলৰ মনঃপুত নহয়, তেওঁলোকে সেইবোৰ চট এৰাই কাষৰীয়া কাটি তেওঁলোকৰ নাও বাই লৈ গ'লেই কাম চলিব। যীচু খৃষ্টৰ জীৱনতো এনে অলৌকিক কাহিনীৰ (Miracle) আটক নাই; ওল্ড টেষ্টেমেণ্টৰ কথাকে নকওঁ, নিউ টেষ্টেমেণ্ট বাইবোলৰ ভিতৰতে ভৰি ভুৰি; তথাপি তাৰপৰা সেইবোৰ বাদ পৰা নাই। যাৰ যেনে অভিৰুচি তেওঁ তেনেকৈ গ্ৰহণ কৰিব।

আৰু এটা কথা পাঠকে এই কিতাপ পঢ়োতে মন কৰিব, যে গ্ৰন্থকাৰৰ "শঙ্কৰদেৱ" কিতাপত থকা কোনো কোনো সিদ্ধান্তৰে সৈতে এই কিতাপত থকা কোনো কথা নিমিলে। ইয়াৰ কাৰণ এই হে যে "শঙ্কৰদেৱ" কিতাপ লৰালৰিকৈ লিখা হৈছিল, আৰু বাস্তৱিকতে গুৱাহাটীৰ "অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ" প্ৰশ্ন কিছুমানৰ উত্তৰস্বৰূপে তাক লেখা হৈছিল। "শঙ্কৰদেৱ" কিতাপৰ আৰু এটা মাই উদ্দেশ্য আছিল, মহাপুৰুষ শঙ্কৰদেৱৰ ফালে মানুহৰ মনযোগ আকৰ্ষণ কৰা; সুখৰ বিষয় সেই কিতাপে সেই কাৰ্য্য অনেক পৰিমাণে সিদ্ধি কৰিলে। এই কিতাপৰ গুৰিতোখৰত "শঙ্কৰদেৱ" কিতাপৰো অনেক সহায় লোৱা হৈছে। শেহত কওঁ যে শঙ্কৰদেৱৰ মাধৱদেৱৰ অমূল্য অসংখ্য গ্ৰন্থ, গীত, ভটীমা আদি ৰচনাৰ সম্যকৰূপে আলোচনা এই কিতাপত কৰা হোৱা নাই, যদিও আমাৰ সেইটো কৰিবৰ খুব ইচ্ছা আছিল। সেই কাৰ্য্য কৰিবলৈ গ'লে কিতাপখন আৰু অনেক ডাঙৰ হয় দেখি সেই কাৰ্য্যৰপৰা সম্প্ৰতি বিৰত হলোঁ। ঈশ্বৰে অনুগ্ৰহ কৰিলে আৰু সময় আৰু সুবিধা পালে, পিছত সেই কাম যথাসাধ্য কৰিবলৈ আশা ৰাখিলোঁ।

অন্তত আৰু এষাৰি কথা ক'ব লগীয়া আছে,—চিৰকাল এই গ্ৰন্থকাৰৰ প্ৰতি ভ্ৰাতৃস্নেহপূৰ্ণ সন্মানভাজন শ্ৰীযুক্ত ভোলানাথ বৰুৱা ডাঙৰীয়াই এই কিতাপ ছপোৱাৰ সম্পূৰ্ণ ব্যয়ভাৰ স্বেচ্ছাতে গ্ৰহণ কৰি বিদ্যানুৰাগিতা, গুণগ্ৰাহিতা আৰু মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰতি প্ৰগাঢ় নিষ্ঠাৰ চিনাকি দিছে; সেই বাবে আমি তেওঁৰ ওচৰত কৃতজ্ঞ থাকিলোঁ।

গ্ৰন্থকাৰ।

লৰেনচ।
হাওড়া।
শক ১৮৩৬, বহাগ।

মহাপুৰুষ
শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ

প্ৰথম অধ্যায়

উপৰি পুৰুষৰ কথা

শ্ৰীশঙ্কৰদেৱ আসামত বিখ্যাত বাৰ-ভূঞাঁসকলৰ ভিতৰৰ শিৰোমণি ভূঞা চণ্ডীবৰৰ নাতিৰ নাতি আছিল। আসামত বাৰভূঞাসকলৰ উৎপত্তিৰ বিষয়ে কেইবাটাও মত আছে। আহোমবিলাক আসামত সোমোৱা কালত ভূঞাঁসকলে ব্ৰহ্মপুত্ৰ নৈৰ উত্তৰ ফালে আৰু ছুটিয়া ৰাজ্যৰ পূৰত ৰাজত্ব কৰিছিল। এটা মত এই,—আৰিমত্ত ৰজাৰ পিছত তেওঁৰ মন্ত্ৰী সমুদ্ৰই আৰিমত্তৰ পুতেক ৰত্নসিংহক ৰাজ্যৰপৰা খেদি দি নিজে ৰাজপাটত উঠিছিল। আৰিমত্ত সূৰ্য্যবংশী ক্ষত্ৰিয় ধৰ্মপালে সংস্থাপন কৰা ৰাজ্যৰ শেহ ৰজা ৰামচন্দ্ৰৰ ৰাণীৰ গৰ্ভত হোৱা সন্তান। এই আৰিমত্তই বাপেক ৰামচন্দ্ৰক নাজানি বধ কৰিছিল। আৰিমত্তৰ ৰাজধানী কামৰূপৰ বেতনাৰ ওচৰৰ বৈদ্যৰ গড়ত আছিল। কমতাপুৰৰ ৰজাৰ বংশৰ কেঙুৱা নামে ৰজা এজনে আৰিমত্তক আক্ৰমণ কৰি হাৰি প্ৰাণ হেৰুৱায়। আৰিমত্তৰ পুতেক ৰত্নসিংহক তেওঁৰ বাপেকৰ কালৰ মন্ত্ৰী সমুদ্ৰই খেদাই দি নিজে ৰজা হয়। সমুদ্ৰৰ পিছত সমুদ্ৰৰ পুতেক মনোহৰ ৰজা হয়। এনে প্ৰবাদ আছে যে মনোহৰৰ জীয়েক লক্ষ্মীৰ গৰ্ভত সূৰ্য্যদেৱৰ ঔৰষত দুটি ল'ৰাৰ জনম হয়, এটিৰ নাম সান্তনু, আনটিৰ নাম সামন্ত। সান্তনু বৈষ্ণৱ আৰু সামন্ত শাক্ত হল। সান্তনু বেলেগ হৈ সপৰিবাৰে গৈ নগাৱঁৰ ৰামপুৰ বোলা ঠাইত বসতি কৰিলে; আৰু সামন্ত লক্ষ্মীপুৰতে (আজিকালি যাক লক্ষীমপুৰ বোলে) থাকিল। সামন্তৰ পিছত তেওঁৰ পুত্ৰসকলে তাতে ৰাজত্ব কৰি আছিল, আৰু মধ্য-আসামত ৰাজত্ব কৰি থকা কছাৰী ৰজাই আৰু সদিয়াৰ ছুটিয়া ৰজাই তেওঁলোকৰ স্বাধীনতাত হাত দিব নোৱাৰিছিল। কিন্তু পিছত আহোম ৰজাৰ হাতত তেওঁলোকে হাৰি ৰাজ্য হেৰুৱায়। ৰাজধৰ নামে সান্তনুৰ সন্তান এজনে নগাৱঁৰ বৰদোৱাত বসতি কৰে। এই ৰাজধৰেই আমাৰ শঙ্কৰদেৱৰ পিতৃ কুসুমবৰৰ ককাক।

গুৰুচৰিত্ৰ পুথিবিলাকত বাৰভূঞাঁৰ উৎপত্তিৰ বিষয়ে আন প্ৰকাৰে লিখা আছে। গুৰুচৰিত্ৰ পুথিত লিখা মতে হে শঙ্কৰদেৱৰ পথাৱলম্বী সত্ৰবিলাকে কয়। এতেকে আমি গুৰুচৰিত্ৰ পুথিত লিখা বিবৰণ হে ঠিক বুলি গ্ৰহণ কৰিলোঁ।

শঙ্কৰদেৱৰ আদি পুৰুষৰ নাম প্ৰেমপূৰ্ণানন্দ গিৰি। তেওঁ অত্ৰি গোত্ৰ সম্ভূত আছিল। চৰিত্ৰ-পুথিত আছে, তেওঁৰ সন্তান নথকা গতিকে কৃষ্ণক উপাসনা কৰি তেওঁ এটি সন্তান লাভ কৰিলে। সেইদেখি সেই সন্তানৰ নামকৰণ কৰা হল কৃষ্ণগিৰি। কৃষ্ণ-গিৰিৰ পুতেকৰ নাম সুবৰ্ণ গিৰি। সুবৰ্ণ গিৰিৰ পুতেকৰ নাম গন্ধৰ্ব্ব গিৰি। গন্ধৰ্ব্ব গিৰিৰ পুতেকৰ নাম ৰাম গিৰি। ৰাম গিৰিৰ পুতেকৰ নাম হেম গিৰি। তেওঁৰ পুতেকৰ নাম হৰিবৰ গিৰি। হৰিবৰ গিৰিয়ে বহু যত্ন কৰি পুত্ৰলাভ কৰিবৰ অৰ্থে পৰম পুৰুষ ভগৱন্ত কৃষ্ণদেৱক আৰাধনা কৰিছিল; তেওঁৰ দুৰ্ভাগ্যবশতঃ পুত্ৰসন্তান জাত নহৈ কন্যা এটি হল। সেই কন্যাৰ নামকৰণ হল কৃষ্ণকান্তি। কৃষ্ণকান্তি ডাঙৰ হৈ ঘৰতে আছে; ভূঞাঁসকলে তেওঁৰ বিবাহৰ প্ৰস্তাৱ কৰি পঠিয়ালে, কিন্তু কন্যাই কাকো বিবাহ কৰিবলৈ সন্মত নহল। এনেতে অলৌকিক ঘটনা এটি ঘটা বুলি পুথিত লিখা আছে—স্বপ্নত সদাশিৱৰ ঔৰসত কৃষ্ণকান্তি গৰ্ভৱতী হল। এই কথা প্ৰকাশ পালত সকলোৱে কুকথা ৰটনা কৰিবলৈ

ধৰিলে। সেইদেখি সদাশিৱই সকলোকে স্বপ্নাদেশ কৰিলে যে তেওঁলোকে কুকথা ৰটনা নকৰিব; কাৰণ তেওঁৰ সন্তানহে কৃষ্ণকান্তিয়ে গৰ্ভত ধাৰণা কৰিছে। পূৰ্ণকালত সেই সন্তান ভূমিষ্ঠ হলত তেওঁৰ নাম লণ্ডাৰৰ ৰখা হল। লণ্ডাৰৰে এদিন গৰু ৰখি থাকোঁতে তেওঁৰ লগৰীয়া ল'ৰাবিলাকে তেওঁৰ বাপেক নাই বুলি হাঁহিলত, তেওঁ বৰ দুখ কৰি নামাতি বহি আছিল। এনেতে মহেশ্বৰে দেখা দি তেওঁৰ হাতত ধৰি গৰখীয়া ল'ৰাবোৰৰ মাজলৈ তেওঁক লৈ গৈ সিহঁতক কলে যে "মইহে লণ্ডাৰৰ পিতৃ। তোমালোকে আজিৰ পৰা এওঁক আৰু উপহাস নকৰিবা, কৰিলে তোমালোকৰ বেয়া হব।" এই কথা গৰখীয়া ল'ৰাবোৰে ভূঞাঁসকলৰ আগত কলত, তেওঁলোকে সেইদিনাৰপৰা লণ্ডাৰৰক লণ্ডাদেৱ নাম দিলে।

লণ্ডাদেৱ চণ্ডীৰ ভক্ত আছিল। তেওঁ চণ্ডীক আৰাধনা কৰি পুত্ৰ লাভ কৰি, সেই পুত্ৰৰ নাম চণ্ডীবৰ ৰাখিলে। (১)

দুৰ্লভ নাৰায়ণ নামে কমতাপুৰৰ ৰজা এজনেৰে সৈতে ধৰ্ম্মনাৰায়ণ নামে গৌৰৰ ৰজা এজনৰ ৰণ লাগে। উভয়ে বল বীৰ্য্যত সমকক্ষ হোৱাত কোনোৱে কাকো বলে নোৱাৰি শেহত মিত্ৰতা কৰে। তাৰ পিছত কমতাপুৰৰ ৰজাই গৌৰৰ ৰজাক কলে "মোৰ দেশত উচ্চজাতীয় লোক নাই। মোক কেইজনমান উত্তম ব্ৰাহ্মণ আৰু কায়স্থ লোক দিলে ভাল হয়।" গৌৰেশ্বৰে সেই কথাত সন্মতি প্ৰকাশ কৰি কনৌজৰপৰা অহা কৃষ্ণ পণ্ডিত প্ৰমুখ্যে সাত ঘৰ ব্ৰাহ্মণ আৰু চণ্ডীবৰ প্ৰমুখ্যে সাত ঘৰ কায়স্থ কমতেশ্বৰক দিলে। ব্ৰাহ্মণ কেইজনৰ নাম,—কৃষ্ণপণ্ডিত, ৰঘুপতি, ৰামবৰ, লোহাৰ, বৰণ, ধৰম, মথুৰা। কায়স্থ কেইজনৰ নাম,—চণ্ডীবৰ, শ্ৰীধৰ, হৰি, শ্ৰীহৰি, শ্ৰীপতি, চিদানন্দ, সদানন্দ। কমতেশ্বৰে এই চৌধ ঘৰ ব্ৰাহ্মণ কায়স্থ অনাই, প্ৰথমতে তেওঁলোকক লেঙামাগুৰি নামে ঠাইত থাকিবলৈ দিছিল। চণ্ডীবৰ তাতে কিছু দিন থাকি পলাই গলত, গৌৰেশ্বৰে জানিব পাৰি তেওঁক ধৰাই বন্দী কৰি আকৌ কমতেশ্বৰৰ ওচৰলৈ পঠিয়াই দিলে; আৰু কমতেশ্বৰে চণ্ডীবৰক সেই দোষত পোতাশালত বন্দী কৰি থৈ দিলে। কিছুকালৰ মূৰত কমতেশ্বৰৰ নগৰলৈ এজন পণ্ডিত বাদ কৰিবলৈ আহিলত, সেই পণ্ডিতৰে সৈতে সমানে বাদ কৰিব পৰা কোনো পণ্ডিত ৰজাৰ ৰাজ্যত নথকাত ৰজাই চণ্ডীবৰক বন্দীশালৰপৰা মোকোলাই আনি পণ্ডিতেৰে সৈতে বাদ কৰিবলৈ লগাই দিলত চণ্ডীবৰে বাদত পণ্ডিতক হৰুৱালে। এই কাৰ্য্যত ৰজাই বৰ সন্তুষ্ট হৈ চণ্ডীবৰক আদৰ সন্মান কৰি তেওঁৰ চণ্ডীবৰ নাম সলাই দেবীদাস নাম দি আৰু ধন বস্ত্ৰ মাটি বাৰী দি তেওঁক শিৰোমণি ভূঞা পাতি ৰাখিলে। তেওঁ লেঙামাগুৰিত কিছুদিন থাকি তাৰপৰা উঠাই আহি টেম্বুৱানি বৰদোৱাত ঘৰবাৰী পাতি বলগৈ। (২) (৩)

চণ্ডীবৰে বাদ কৰা কথাৰ বৰ্ণনা গুৰু-চৰিত্ৰত এইদৰে আছে—এদিন নদীয়া শান্তিপুৰৰপৰা চন্দ্ৰকবি নামে পণ্ডিত এজন বাদ কৰিবৰ মনেৰে কমতাপুৰৰ ৰজাৰ ওচৰত উপস্থিত হলহি। ৰজাই তেওঁৰ ৰাজ্যত সেই পণ্ডিতেৰে সৈতে বাদ কৰিব পৰা উপযুক্ত পণ্ডিত নেদেখি মনৰ বেজাৰত মৌন হৈ থকাত বঙ্গদেশীয় পণ্ডিতজনে ৰজাক অহঙ্কাৰেৰে সৈতে কটু কথা শুনালে। এই কথা পোতাশালত থকা চণ্ডীবৰে শুনি তেওঁ পণ্ডিতেৰে সৈতে বাদ কৰি পণ্ডিতক জিনিব পাৰিব বুলি ৰজালৈ জনাই পঠিয়ালত, ৰজাই সন্তুষ্ট হৈ চণ্ডীবৰক বন্দীশালৰপৰা মোকোলাই অনাই নখ কটাই, দাড়ি চুলি খুৰুৱাই, বগা কাপোৰকানি পিন্ধোৱাই, পণ্ডিতেৰে সৈতে বাদ কৰিবলৈ লগাই দিলে। চণ্ডীবৰে মহামায়া দেবীক উপাসনা কৰি মাতাৰ আশীৰ্ব্বাদ লভি বলীয়ান হৈ ৰজাৰ সভাত খুটাত কাপোৰ বান্ধি লৈ শৰাই ৰঁটা আগত লৈ বহি পণ্ডিতৰ সন্মুখ হল। পণ্ডিতে চণ্ডীবৰক শুধিলে "তোমাৰ বসতি কত? সেই গ্ৰামৰ নাম কি?" চণ্ডীবৰে উত্তৰ দিলে "গোগৰীয়া গ্ৰামত আমি থাকোঁ।" পণ্ডিতে সেই কথাৰ ব্যাখ্যা কৰি উপহাস কৰি কলে "একেই গৰু, তাতে গ'ৰীয়া!" চণ্ডীবৰে পণ্ডিতক শুধিলে "আপোনাৰ বা বাসস্থান কোন গ্ৰামত?" পণ্ডিতে উত্তৰ দিলে—"পোতনি গ্ৰামত।" এই উত্তৰ শুনি চণ্ডীবৰে ব্যাখ্যা কৰি কলে "চাউল সিজালে ভাত হয়, তাত পানী দিলে পোতনি হয়, সেই পোতনি পৰা ঠাইক গৰুৰ গোবৰেৰে শুচি নকৰিলে

---

* (১) "লণ্ডাদেৱ নামে একজন আছিলন্ত। চণ্ডীবৰ নামে তান তনয় ভৈলন্ত ॥
চণ্ডীবৰে ৰাজসেৱা বিস্তৰ কৰিল। দুৰ্লভ নাৰায়ণে দেবীদাস নাম দিল ॥
দেবীদাসে বসাইলন্ত টেম্বুৱানি ৰঙ্গে। বৰদোৱা নাম গ্ৰাম পৰম প্ৰবন্ধে ॥
কৰা সেৱা দুৰ্লভ নাৰায়ণ নৃপতিৰ। দাতা ভোক্তা জ্ঞাতা বীৰ গহীন গম্ভীৰ ॥
হেনয় পণ্ডিত দেবীদাস আছিলন্ত। ৰাজধৰ নাম তান তনয় ভৈলন্ত ॥
দানী মানী গুণৱন্ত শান্ত শুভনয়। ভৈল তিনি জন জানা তাহান তনয় ॥
সূৰ্য্যবৰ জয়ন্ত মাধৱদলৈ নাম। তিনিয়ো পণ্ডিত গুণৱন্ত অনুপাম ॥
সূৰ্য্যবৰ পুত্ৰ ভৈল কুসুম নামত। সেহি বেলা কুসুমৰ পুত্ৰ উপজিল ॥
শঙ্কৰৰ ৰৱত পুত্ৰক লভিলন্ত। এতেকে শঙ্কৰৰ নামক থৈলন্ত ॥" —দৈত্যাৰি।

আন দ্ৰব্যেৰে সি শুদ্ধ নহয়।" এই কথা শুনি সভাসদসকলে গিৰ্জনি মাৰি হাঁহিলত, পণ্ডিতে লাজ পাই সভাৰপৰা উঠি গুচি গল। দুৰ্লভ নাৰায়ণ ৰজাই এই কাৰ্য্যত চণ্ডীবৰৰ ওপৰত বৰ সন্তুষ্ট হৈ তেওঁক দেৱীদাস নাম দি মাটি-বাৰী দি ঘৰ-দুৱাৰ সজাই দিয়াই সন্মান কৰি ৰাখিলে। (৪)

চণ্ডীবৰ লেঙামাগুৰিত কিছুদিন থাকি তাৰপৰা উজাই আহি টেম্বুৱানিত ঘৰ সাজি থাকিলহি। কিছুদিনৰ পিছত চণ্ডীবৰৰ এটি পুত্ৰ-সন্তান জন্ম হয়, তেওঁৰ নাম ৰাজধৰ। এদিন ৰাজধৰে পথাৰত ধানৰ খেতি কৰাই থাকোঁতে ভোটে তেওঁক ধৰি নিলে। চণ্ডীবৰে এই বাতৰি পাই খেদি গৈ দেখিলে যে ভোটে ৰাজধৰক সিহঁতৰ মাজত লৈ শুই আছে। চণ্ডীবৰে ভোটবোৰক কাটি ৰাজধৰক লৈ আহিল।

ৰাজধৰ দয়াশীল, সৰল অতিথি-সৎকাৰক ভুঞা আছিল। তেওঁৰ চাৰিজন পুত্ৰ হয়—প্ৰথম সূৰ্য্যবৰ, দ্বিতীয় জয়ন্তা, তৃতীয় মাধৱ, চতুৰ্থ হলায়ুধ। খেৰসুতী নামেৰে কন্যাক সূৰ্য্যবৰলৈ বিয়া কৰাই অনা হল। খেৰসুতীৰ কনিষ্ঠা ভগিনী কেইজনাক ক্ৰমে জয়ন্তা, মাধৱ আৰু হলায়ুধলৈ বিয়া কৰোৱা হল।

জয়ন্তাৰ পুত্ৰ সত্যানন্দ। সত্যানন্দৰ পুত্ৰ জগতানন্দ বা ৰামৰায়; তেওঁৰ মাকৰ নাম নাৰায়ণপ্ৰিয়া। মাধৱৰ পুত্ৰ মাধৱীদলৈ। মাধৱীদলৈৰ পুত্ৰৰ নাম ৰতিকান্ত। ৰতিকান্তৰ পুত্ৰৰ নাম হাতীয়া বা হাথীয়াদলৈ। হলায়ুধৰ সন্তান হোৱা নাছিল। ৰতিকান্ত ব্ৰহ্মজ্ঞানী আছিল বুলি চৰিত্ৰত উল্লেখ কৰা আছে। সূৰ্য্যবৰৰ পুতেকৰ নাম শঙ্কৰৰ জন্মদাতা বিখ্যাত কুসুমবৰ। আহিনৰ এদিন যেৰাত শুক্লা-দশমী শুক্ৰবাৰে কুসুমৰ জন্ম হয়।

শ্ৰীহৰি ভুঞাৰ মালাকান্তি নামে পত্নীৰ গৰ্ভত হৃদয়ানন্দ নামে পুত্ৰ জাত হয়। হৃদয়ানন্দলৈ ৰামপ্ৰিয়া কন্যাক বিয়া কৰোৱা হয়। তেওঁৰ গৰ্ভত অনিৰুদ্ধ নামে পুত্ৰ হল। সৰস্বতী নামে কন্যাক অনিৰুদ্ধই বিবাহ কৰায়।

বহুকালৰ পিচতো সত্যসন্ধাৰ গভত সন্তান নোহোৱা দেখি কুসুমবৰে শ্ৰীপতি ভুঞাৰ কন্যা অনুধৃতীক বিয়া কৰায়। অনুধৃতীৰ গৰ্ভৰ বনগঞা গিৰীৰ জন্ম হয়। কিন্তু বনগঞা জন্ম হোৱাৰ আগেয়েই সত্যসন্ধাই এটি পুত্ৰসন্তান প্ৰসৱ কৰে, তেওঁৰ নামেই শ্ৰীশঙ্কৰদেৱ।

---

(২) "ভাৰতবৰ্ষত মুচলমান জাতিৰ অধিকাৰ হ'লত যেতিয়া ১৩ শতাব্দিত তেওঁলোকে এহাতে শাণিত তৰোৱাল আন হাতে ইছলাম ধৰ্ম্মৰ মূল কোৰাণ পুথি লৈ অধিকৃত প্ৰদেশৰ মানুহবিলাকক সেই বস্তু দুটি যাচি ফুৰে, সেই সময়ত কান্যকুব্জ নগৰৰ অনেক ধৰ্ম্মপৰায়ণ হিন্দুৱে ধৰ্ম্ম আৰু প্ৰাণ লোপৰ ভয়ত দেশ এৰি পৰ্ব্বতে হাবিয়ে অশেষ দুখ সহি লুকাই ফুৰিছিল। এই লোকসকলৰ মাজত শঙ্কৰদেৱৰ উপৰি বংশধৰ লণ্ডাদেৱ গিৰি আৰু তেওঁৰ পুতেক চণ্ডীবৰ গিৰি আছিল। এওঁলোক দুজন মুচলমানৰ উপদ্ৰৱত বহুদিন পৰ্ব্বতে হাবিয়ে লুকাই ফুৰি অৱশেষত কান্যকুব্জ নগৰলৈ যোৱা নিৰাপদ নহয় জানি বঙ্গদেশৰ উত্তৰ অঞ্চলৰ গৌড় নামে এক নগৰত আহি বাস কৰে। এই সময়ত এই গৌড় নগৰত ৰজা ধৰ্ম্মনাৰায়ণ আছিল। লণ্ডাদেৱ আৰু চণ্ডীবৰ বুদ্ধিমান পণ্ডিত আৰু পৰাক্ৰমী থকাত ৰজাৰ প্ৰিয়পাত্ৰ হৈ উঠে। চণ্ডীবৰ ৰজাৰ দেৱান হয়। গৌড় ৰাজ্যত এওঁলোকে সুখ, শান্তি, ধন, সম্ভ্ৰম লাভ কৰি অনেক দিন আছিল; কিন্তু অসময়ৰ সৌভাগ্যৰ নিমিত্তে তেওঁলোকৰ বাসস্থান গৌড় নগৰৰ পৰা আঁতৰিল। গৌড় ৰাজ্যৰ লগত কমতা ৰাজ্যৰ সন্ধি থকাত দুয়ো ৰাজ্যৰ মিল আছিল। কমতাৰ ৰজা দুৰ্লভনাৰায়ণে তেওঁৰ ৰাজ্য বহু দূৰলৈ ব্যাপি পৰাত তাক শাসন কৰিবলৈ ঠায়ে ঠায়ে উপযুক্ত মানুহ নথকাত আৰু ৰাজ্যত ধৰ্ম্ম-পৰায়ণ, জ্ঞানী, সমাজ চলোৱা মানুহৰ সংখ্যা নিচেই তাকৰ থকাত সাতজন ব্ৰাহ্মণ আৰু সাতজন কায়স্থ কমতাৰ ৰাজ্যলৈ পঠাবলৈ গৌড়ৰ ৰজাক অনুৰোধ কৰে। ধৰ্ম্মনাৰায়ণে মিত্ৰৰ অনুৰোধমতে সাত ঘৰ ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থ কমতা ৰাজ্যলৈ পঠায়। এই কায়স্থ সাত ঘৰৰ ভিতৰত লণ্ডাদেৱ আৰু চণ্ডীবৰো এঘৰ আছিল। এওঁলোকে কামৰূপ জিলাৰ বৰ-নদীৰ ওচৰত থকা লেঙামা-গুড়ি নামে গাৱঁত বাস স্থাপন কৰে। তেওঁলোকৰ কুল-পুৰোহিত কৃষ্ণ পণ্ডিতো এই ঠাইতে থাকে। চণ্ডীবৰ ইমান কাৰ্য্যক্ষম আছিল যে কমতেশ্বৰে দেৱান আৰু মন্ত্ৰণা কাৰ্য্যত মাজে-সময়ে তেওঁৰ সহায় লৈছিল। চণ্ডীবৰে বাৰভঞাৰ শিৰোমণি ভঞা হৈ শাসনকাৰ্য্য অতি সুন্দৰৰূপে চলাইছিল আৰু সেই অঞ্চলত ভোট আদি পৰ্ব্বতীয়া জাতিবিলাকৰ উপদ্ৰৱ বহু পৰিমাণে দমন কৰি শান্তি স্থাপন কৰিব পাৰিছিল। দুৰ্লভনাৰায়ণে এবাৰ চণ্ডীবৰক ধৰাই নিয়াই ৰাজধানীৰ বন্দীশালত থয়। চৰিত্ৰ লেখকসকলে চণ্ডীবৰক বন্দীশালত থোৱাৰ কাৰণ দুটা নিৰ্দ্দেশ কৰিছে। প্ৰথম,—চণ্ডীবৰ লেঙামাগুড়িত থাকি বৰ প্ৰতাপশালী হৈ পৰিল; তেওঁ ৰজাৰ আজ্ঞাকো লংঘন কৰি নিজৰ মতে শাসন কৰিছিল, নিয়মমতে কৰ নপঠাইছিল আৰু ৰজাৰ দূতক বন্দী কৰি থৈছিল। এইবিলাক কাৰণত খং উঠি ৰজাই ফৌজ পঠাই চণ্ডীবৰক ধৰাই নি বন্দীশালত থোৱায়। আন কাৰণ,—যেতিয়া চণ্ডীবৰ কমতাৰ ৰাজ্যলৈ আহে, সেই সময়ত ধৰ্ম্মনাৰায়ণ ৰজাই এৰি দিছিলি। চণ্ডীবৰে প্ৰতিবছৰে এবাৰ গৌড় ৰাজ্যলৈ যাব বুলি অঙ্গীকাৰ কৰি কমতা ৰাজ্যলৈ আহে। সেই অঙ্গীকাৰ মতে চণ্ডীবৰ গৌড় ৰাজ্যলৈ প্ৰতি বছৰে এবাৰ গৈছিল। তাতে কমতাৰ ৰজাই চণ্ডীবৰক ঘনে ঘনে গৌড় ৰাজ্যলৈ যোৱা দেখি তেওঁৰ ৰাজ্য গৌড়ৰ ৰজাক দিয়াৰ চক্ৰান্ত পতাৰ সন্দেহ কৰি চণ্ডীবৰক বন্দী কৰি থয়। বন্দীশালত চণ্ডীবৰ এবছৰ থাকে। নবদ্বীপৰ পৰা এজন পণ্ডিত বাদ কৰিবৰ নিমিত্তে কমতাপুৰলৈ আহে। সেই পণ্ডিতক চণ্ডীবৰে শাস্ত্ৰৰ তৰ্কত হৰুৱায়। ইয়াতে ৰজাই সন্তুষ্ট হৈ চণ্ডীবৰক মুক্তি দিয়ে; আৰু দেৱীদাস নাম দি বহুমূল্যৰ পুৰস্কাৰ দি ঘৰলৈ পঠায়। কিছুদিনৰ পাচত লণ্ডাদেৱ গিৰিৰ মৃত্যু হয় আৰু ৰাজধৰ নামে চণ্ডীবৰৰ এটি পুত্ৰ জন্মে। লেঙামা-গুড়িত কিছুদিন আহি বাস কৰে। ৰাজধৰৰ চাৰিজন পুত্ৰ হয়—সূৰ্য্যবৰ, জয়ন্ত, মাধৱ আৰু হলায়ুধ। সূৰ্য্যবৰৰ এটি পুত্ৰ জন্মে, নাম কুসুম। এওঁৱেই মহাপুৰুষ শঙ্কৰদেৱৰ পিতৃদেৱ।"

(দ্বিতীয় ভাগ জোনাকী শক ১৮১১-১৮১২)

(৩) "শঙ্কৰৰ ওপৰে চতুৰ্থ পুৰুষৰ নাম চণ্ডাদেৱ। তেৰ শতিকাত চাহাবুদ্দিন গৰীয়ে যেতিয়া দিল্লী আক্ৰমণ কৰে, তেতিয়া কনৌজ নগৰত চণ্ডীবৰ নামেৰে এজন ভূঞা বা গিৰী আছিল। আগৰ কালত যাৰে ভূমি আছিল তাকে ভূঞা বুলিছিল। পাচত ভূঞা নামে গিৰী অৰ হ'ল। দিল্লী লৈ বৰি চাহাবুদ্দিনে কনৌজ আক্ৰমণ কৰে আৰু তেওঁ হিন্দু দেৱ-দেৱীৰ মূৰ্ত্তিবোৰ ভাঙি-ছিঙি হিন্দুধৰ্মাৱলম্বীবিলাকক বহুত মানসিক আৰু শাৰীৰিক কষ্ট দিছিল। তেওঁৰ ভয়ত চণ্ডীবৰ আৰু তেওঁৰ লগত বহুত ব্ৰাহ্মণ কায়স্থ মানুহ হাবিলৈ পলাল। যেতিয়া যৱনে খেদি নি তেওঁবিলাকক ধৰোঁ ধৰোঁ হ'ল, তেতিয়া তেওঁবিলাকে ধন-সোণ এটা পুখুৰীত পেলাই নিজৰ দেহা আৰু আত্মাক মাথোন ৰক্ষা কৰিবলৈ বুলি কাঠনিত সোমাল। যৱনে তেওঁবিলাকৰ পিচ এৰিলত চণ্ডীবৰ আৰু লগতে জনচেৰেক হাবিৰপৰা ওলাই আহিল। ওলাই আহি সেই পখুৰীত পেলোৱা এখন তামৰ ফলি বিচাৰিছিলে। ফলিত তেওঁবিলাকৰ পূৰ্ব্ব পুৰুষসকলৰ নাম আৰু সোন ৰজাই কাক কিমান মৰ্য্যদা দিছিল এইবিলাক লিখা আছিল। সেইগুণে চণ্ডীবৰে এই ফলিখন বিচাৰি আকৌ যৱনৰ হাতত পৰাৰ ভয় থকা সত্ত্বেও আহিছিল।

"বহুত দলি বিচৰাৰ পাচত তেওঁ দেখিলে এটা কাছই সেই ফলিখন মুখেৰে কামুৰি নি পাৰত তুলি থৈছে গৈ। তেতিয়াৰেপৰা হেনো চণ্ডীবৰৰ বংশই কাছ নাখাইছিল। বোধহয় এইখিনিতেই ধাতুতাম্ৰাক্ষৰ বুলি পাচত প্ৰখ্যাত হৈছিল। চণ্ডীবৰ আৰু তেওঁৰ লগৰীয়া বামুণ কায়স্থসকলে ফলিখন লৈ পঞ্চগৌৰেশ্বৰৰ ওচৰ পালেগৈ। ফলি দেখি ৰজাই তেওঁবিলাকক নিয়মমতে মান-সৎকাৰ কৰি আশ্ৰয় দিলে। সেই সময়ত কৰতোৱা নৈকে সীমা কৰি পূবে কামৰূপ আৰু পশ্চিমে গৌৰৰাজ্য হৈছিল। গৌৰৰ ৰাজধানী মালদাত আৰু কামৰূপৰ ৰাজধানী কমতাপুৰ কৰতোৱা নৈৰ পাৰত আছিল। কমতেশ্বৰে গৌৰেশ্বৰক খুজি চৌদ্দঘৰ বামুণ আৰু কায়স্থ মানুহ আনি নিজৰ ৰাজ্যত বহুওৱাটো সঁচা হ'ব পাৰে। গৌৰেশ্বৰে কিন্তু নিজৰ প্ৰস্তাৱ মতে এৰিব নোৱাৰি, কনৌজৰ পৰা উটি-বহি অহা আলহী কেইঘৰকে দি পাস নাৰিলে আৰু মিত্ৰতাও ৰক্ষা কৰিলে। কমতেশ্বৰে বৰ আনন্দেৰে এই চৌদ্দ ঘৰ মানুহক নিজ খুচি মতে মাটি-বাৰী বিচাৰি বসতি কৰিবলৈ দিয়াত তেওঁবিলাক উত্তৰ পাৰে লেঙ্গামাগুৰি নামেৰে এখন বিলৰ পাৰত মাছ-ধৰিৰ সুচল চাই পাতি পাতি বহিল। ৰজাই দূত পঠিয়াই স্থানীয় মানুহৰ দ্বাৰাই ঘৰ-বাৰী সজাই দিয়ালে। কিন্তু তেতিয়াও তেওঁবিলাকৰ শনিৰ দশা নৌ গুচে। অসভ্য ভোট আহি বছৰচেৰেকৰ পাচতে এই ভাটীৰ মানুহ কেইঘৰক লেঙ্গামাগুৰিৰ সোৱাদৰপৰা বঞ্চিত কৰিলে। সোৱা বাহুল্য, এই সময়তে মানুহ কেইঘৰ ধানবান হ'ল। কিছুমান দক্ষিণলৈ আৰু কিছুমান পূবলৈ গ'ল। চণ্ডীবৰকে আদি কৰি কিছুমানে দক্ষিণ পাৰে টেম্বৰানী নামেৰে এটা ঠাইৰ পাৰত বহিলহি। এই ঠাইটিক আজিকালি শান্তিজান বোলে; নগাওঁৰপৰা দহ মাইল ভটীয়াই গ'লেই পায়।" দে,ভ,।

শঙ্কৰদেৱৰ কুলক্ৰম:—প্ৰেমাপুণ্যানন্দ গিৰী। (অত্ৰি গোত্ৰ সম্ভূত)

|

কৃষ্ণ গিৰী।

|

সুবৰ্ণ গিৰী।

|

গন্ধৰ্ব্ব গিৰী

|

বাণ গিৰী।

|

হেম গিৰী।

|

হৰিবৰ গিৰী।

|

[illegible] কৃষ্ণনাথ।

|

চণ্ডাদেৱ বা [illegible]ীবৰ।

|

চণ্ডাদেৱৰ পুত্ৰ চণ্ডীবৰ বা দেৱীদাস।

|

ৰাজধৰ। (ভাৰ্য্যাৰ নাম দেৱৰতী)।

|

সূৰ্য্যবৰ (ভাৰ্য্যা, খেৰসূতী)	জয়ন্ত (ভাৰ্য্যা, খেৰসূতীৰ দ্বিঃ ভগ্নী)	মাধৱ (ভাৰ্য্যা, খেৰসূতী তৃঃ ভগ্নী)	হলায়ুধ (ভাৰ্য্যা খেৰসূতীৰ ৪ঃ ভগ্নী)
কুসুম্বৰ (ভাৰ্য্যা, (১) সত্যসন্ধ্যা, (২) অনুধৃতি)	শতানন্দ (ভাৰ্য্যা নাৰায়ণ প্ৰিয়া)	মাধৱী দলৈ	
		ৰতিকান্ত	
সত্যঃ—শঙ্কৰদেৱ অনুঃ—বনগয়াঁগিৰী	জগতানন্দ বা ৰামৰায়	হাতীয়া	

ওপৰত কৈ অহা "মৌনাকী"ৰ প্ৰবন্ধত এই বংশাৱলীৰ অলপ লৰচৰ আছে ; গতিকে, তাক তলত দিলোঁ ;—"ছুপাই গিৰী, কৃষ্ণদেৱ গিৰী, বামদেৱ গিৰী, হেমদেৱ গিৰী, গন্ধৰ্ব্বদেৱ গিৰী, সুবৰ্ণ গিৰী, হৰিবৰদেৱ গিৰী, কৃষ্ণকান্তি দেৱী, চণ্ডীদেৱ গিৰী, চণ্ডীবৰ বা দেৱীদাস, ৰাজধৰ। ৰাজধৰৰ চাৰি পুতেক—সূৰ্য্যবৰ, জয়ন্ত, মাধৱ আৰু হলায়ুধ। সূৰ্য্যবৰৰ পুতেক কুসুম গিৰী, কুসুমৰ পুতেক শঙ্কৰ। শঙ্কৰৰ তিনিটি ল'ৰা আৰু দুজনী ছোৱালী,—বিষ্ণুপ্ৰিয়া, ৰমানন্দ, কমললোচন, হৰিচৰণ, আৰু ৰুক্মিণী। ৰমানন্দৰ পুতেক পুৰুষোত্তম। জয়ন্তৰ পুতেক শতানন্দ, তেওঁৰ পুতেক ৰামৰায় বা জগদানন্দ। মাধৱৰ পুতেক হাতীপদে তেওঁৰ পুতেক ৰতিকান্ত। হলায়ুধ নিঃসন্তান।"

(৪) "চণ্ডীবৰকে আদি কৰি লতুনকৈ অহা পচিমীয়া মানুহ কেইজন ইমান ক্ষমতাপন্ন হৈ উঠিল যে অলপ সময়ৰ ভিতৰতে তেওঁলোক ৰজাৰ প্ৰতিদ্বন্দ্বী হৈ ৰজাৰ হুকুম নমনা হ'ল। দুৰ্লভনাৰায়ণে ভুঞাসকলৰ এনে ব্যৱহাৰ দেখি এজন সেনাপতি পঠাই অকৃতজ্ঞ চণ্ডীবৰক ধৰাই নিয়ালে। ৰামচৰণৰ পুথিমতে সেই সেনাপতিৰ নাম শণীপাত্ৰ **। সেনাপতিজনে হেনো চণ্ডীবৰক সন্মুখ সমৰত দেখা দিবলৈ ভয় কৰি কাজলীমুখতে (বৰ্ত্তমান কলংমুখ) কোঠ বান্ধি চণ্ডীবৰক চল কৰি ধৰিলে। প্ৰায় এবছৰমান চণ্ডীবৰ কাৰাগাৰত বন্দী হৈ থাকোঁতে, এনেতে চন্দ্ৰকৰি নামেৰে এজন নদীয়াৰ পণ্ডিত কমতাপুৰত উপস্থিত হ'লহি আৰু ৰজাৰ ওচৰত বাদ কৰিবলৈ প্ৰতিযোগী বিচাৰিলে। ৰজাই পণ্ডিত বিচাৰি খলক লগালে; শেহত নাপাই সেনাপতিৰ হুকুম দিলে, 'তুমি সাতদিনৰ ভিতৰতে এটা পণ্ডিত আনি হাজিৰ নকৰিলে তোমাক শুলাই এৰা নাযাব।" শণীপাত্ৰই চণ্ডীবৰৰ পণ্ডিতালিৰ বিষয়ে আগৰেপৰা কিছু জানে। এতিয়া মৰামৰিৰ সময়ত ** এওঁকে আগ বঢ়াই দি গা সাৰিলে। চণ্ডীবৰে পণ্ডিতজন তৰ্কত ঘটুৱালে * পণ্ডিতে তাৰ সমুচিত উত্তৰ দিব নোৱাৰাত সভাসদসকলে গিৰ্জ্জনি মাৰি হাঁহিবলৈ ধৰিলে। চণ্ডীবৰ তৰ্ক-যুদ্ধত জয়ী প্ৰমাণ হ'ল। ৰজাই তেওঁক দেৱীদাস নাম দি বৰিলে আৰু তেওঁৰ অসীম পণ্ডিতালিত সন্তুষ্ট হৈ সকলো ভুঞাৰ ওপৰত শিৰোমণি ভুঞা পাতি ৰবদোৱা অঞ্চলত স্বাধীন ভাৱে ৰাজকাৰ্য্য চৰ্চ্চা কৰিবলৈ অনুমতি দিলে। তেতিয়াৰ পৰা চণ্ডীবৰ আৰু তেওঁৰ পুত্ৰনাতি যথাযথানত স্বতন্ত্ৰ হ'ল। অকল সেয়ে নহয়, নগাওঁ আৰু তেজপুৰত ব্ৰহ্মপুত্ৰৰ দুই পাৰে যি গাওঁ-ভুঁই আছিল সকলো চণ্ডীবৰৰ অধীনলৈ আহিল। চণ্ডীবৰেও তেওঁৰ লগত অহা বামুণ-কায়স্থকেইজনৰ লগত মিলি ন্যায়পৰ হৈ ৰাজ্য চলাবলৈ ধৰিলে। ৰাজকাৰ্য্য চৰ্চ্চা কৰিবৰ নিমিত্তেও এটা ঘৰ সাজিলে, তাক কাৰখানা (office) বোলে। এজন সেনাপতি নিযুক্ত কৰিলে, তেওঁৰ নাম দিলে দলপতি। এইদৰে ৰাজকাৰ্য্যৰ আন লাগতিয়াল বাখিনিও তেওঁবিলাকৰ ভিতৰতে ভাগ বঁটাই এই চৌদ্ধ ঘৰ মানুহে অতি মিলাপ্ৰীতিৰে দেশ চলাই কাল যাপন কৰিবলৈ ধৰিলে। ** চণ্ডীবৰৰ দিনৰপৰা শ্ৰীশঙ্কৰদেৱৰ দিনলৈকে এই পাঁচ পুৰুষৰ ভিতৰত ভুঞাৰ সংখ্যা অলেখ হ'ল। তেওঁবিলাকে ব্ৰহ্মপুত্ৰৰ দুই পাৰে পুবলৈ আৰু পচিমলৈ ক্ৰমাং ৰাজ্য বিস্তাৰ কৰিবলৈ ধৰিলে। ইয়াৰ ভিতৰতে, তেওঁবিলাকৰ বল আৰু সাহস বৃদ্ধি হোৱাৰ আৰু এটা কাৰণ হ'ল উত্তৰৰপৰা ভোট আৰু দক্ষিণৰ পৰা কছাৰীয়ে তেওঁবিলাকক সততে জুলুম কৰি থকাত ভুঞাসকল যুদ্ধবিদ্যা অভ্যাস কৰিবলৈ বাধ্য হল। গ্ৰাসাচ্ছাদনৰ অভাৱ নথকাত মানসিক অনুশীলনৰ নিমিত্তে তেওঁবিলাকৰ আগৰে পৰা ঢাল আছিল। তেওঁবিলাকৰ জন্মভূমি কনৌজৰ সভ্যতা সেই সময়ত আঢ়ৈ হেজাৰ বছৰীয়া। কনৌজ পঞ্চালীবিলাকৰ ৰাজধানী আছিল। সপ্তম শতিকাত দ্বিতীয় শিলাদিত্যৰ তলত কনৌজ শিক্ষা আৰু সভ্যতাৰ কেন্দ্ৰস্থান আছিল। এতেকে তেনে ঠাইৰ বাসিন্দাসকলে ওপৰত কৈ অহা সুবিধাজনক অৱস্থাত পৰি মানসিক উৎকৰ্ষতা নকৰাটোহে অতি আচৰিত হ'লহেঁতেন।"

—শ্ৰীযুত দেৱানন্দ ভৰালীৰ প্ৰবন্ধ। আলোচনী। ২য় বছৰ, শাওণ

"আদিচৰিত" নামে ছপা হৈ ওলোৱা পুথি এখনত শঙ্কৰদেৱৰ উপৰি পুৰুষৰ বৃত্তান্ত আন এক প্ৰকাৰে দিয়া আছে, যাৰে সৈতে গুৰুচৰিত্ৰ পুথিবিলাকত লেখা বৃত্তান্ত নিমিলে। সেই পুথি ৰচোঁতা মাধৱদেৱ বুলি কোৱা হৈছে। আমি ডাঠকৈ ক'ব পাৰোঁ যে মহাপুৰুষ মাধৱদেৱৰ দ্বাৰাই সেই পুথি বিৰচিত নহয়। তাৰ প্ৰথম কাৰণ হৈছে মহাপুৰুষ মাধৱদেৱৰ মৰমৰ ভাগিনিয়েক ৰামচৰণ ঠাকুৰ ৰচিত গুৰুচৰিত্ৰৰ বিৱৰণৰ সি বিৰোধী। ৰামচৰণ ঠাকুৰক মাধৱদেৱে পঢ়াই শিকাই লগতে ৰাখি ডাঙৰ-দীঘল কৰিছিল। শঙ্কৰদেৱৰ বংশৰ সম্বন্ধে নিশ্চয় ৰামচৰণৰ জ্ঞান মাধৱদেৱৰপৰা। মাধৱদেৱে যদি আদিচৰিত পুথি লিখিলেহেঁতেন সেই পুথিত লিখাদৰেহে তেওঁ ৰামচৰণ ঠাকুৰক শিকালেহেঁতেন। শঙ্কৰদেৱৰ চৰিত্ৰ প্ৰণেতা দ্বিজভূষণেও যি লেখিছে, সিও আদিচৰিতৰ লৈতে অমিল। দ্বিজভূষণো মাধৱদেৱৰ দ্বাৰাই অনুপ্ৰাণিত। মাধৱদেৱৰ দ্বাৰাই স্থাপিত, আৰু তেওঁৰ প্ৰধান শিষ্যসকলৰ দ্বাৰাই স্থাপিত মহাপুৰুষীয়া সত্ৰবিলাকত গুৰুচৰিত্ৰত লিখামতে হে শঙ্কৰদেৱৰ উপৰি পুৰুষসকলৰ কথা কয়, আদিচৰিতৰ মতে নকয়। আদিচৰিতৰ ৰচনা প্ৰণালীলৈ চালেও, সি যে মাধৱদেৱৰ অমৃতময়ী লেখনীৰ পৰা ওলোৱা নাই, সেইটো স্পষ্টকৈ দেখা যায়। এতেকে "আদি চৰিতৰ" লেখক যে কোনোবা মাধৱহে, অথবা সি মাধৱদেৱৰ নামে চলাবলৈ কোনোবাই কৰা বৃথা চেষ্টা হে তাত সন্দেহ নাই।

কিন্তু এটা কথাৰ উমানিহ আদি চৰিতে দিয়ে। চণ্ডীবৰৰ বংশৰ ভুঞাসকল আসামলৈ অহাৰ আগৰেপৰা আসামৰ লক্ষীমপুৰ অঞ্চলত আন এক বংশৰ ভুঞাসকল যে আছিল এইটো বাৰ লেখটোৰ প্ৰতিপত্তি বংশ বা সম্প্ৰদায়ৰ শ্ৰেষ্ঠ লোকৰ সংখ্যা বুজোৱাত ভাৰতৰ অনেক ঠাইত আছে। পৰ্ব্বৰঙ্গতো বাৰভুঞা আছিল। সকলোৰে ভিতৰত বাৰ অঙ্কৰ প্ৰাদুৰ্ভাৱ দেখা যায়। বঙ্গদেশতো আৰু আসামতো ভুঞাসকলৰ নাম ওলালেই "বাৰভুঞা" বোলা হয় ; যদিও বঙ্গদেশৰ "বাৰভুঞা"ৰে সৈতে আসামৰ "বাৰভুঞাৰ" বংশগত কিবা সম্বন্ধ থকাৰ প্ৰমাণ পোৱা নাযায়। নৰনাৰায়ণ ৰজাৰ বাৰজন মন্ত্ৰী আছিল, আৰু তেওঁৰ জহতীয়া ৰাজ্যৰ পৰ্ব্বতীয়া দেশ তোখৰ শাসন কৰিবৰ নিমিত্তে বাৰজন দলৈ বা প্ৰধান আছিল। নেপালৰ ৰজাৰ বাৰজন প্ৰধান সভাসদ আছিল। ভাৰতৰ আন আন ঠাইতো বাৰৰ প্ৰভাৱ কম নহয়। ৰমানন্দৰ বাৰজন শিষ্য ; কবিৰো বাৰজন। বাৰটা মাহ। বাৰটা বছৰে এযুগ। শঙ্কৰ মাধৱৰ বাৰজন ধৰ্ম্মপ্ৰচাৰক আতা। বৰ বাৰজনীয়া, সৰু শবজনীয়া সত্ৰ বিখ্যাত। কোচবেহাৰ ৰাজবংশৰ গুৰি, শিত বিশ্বৰ (সিহঁত বিশ্বসিংহ, শিৱসিংহ) বাপেক, গোৱালপাৰৰ খুন্তাঘাট পৰগণাৰ ভিতৰুৱা চিকণ গাৱঁৰ মানুহ হাৰিয়া মণ্ডল বাৰ ঘৰ প্ৰধান মেচ বা কোচৰ ভিতৰত ৰৰমুৰীয়া আছিল। সেই বাৰ মেচৰ নাম—পাণৰৰ, ফেদেলা, ফেদুকেদেষ্ট, বাৰিহানা, কথীয়া, গুৱাবৰ, নেযা, বৈহাগু, জগাই, গুৱীকটা, জুগবৰ, ডাৱৰ। কমতাপুৰ জয় কৰোঁতে মুছলমান নবাৱ হুচেন স্যাহৰ প্ৰভুত্ব কিছুকালৰ পিছত সেই অঞ্চলৰপৰা গুচিলত, স্থানীয় মানুহৰ ভিতৰতে একো একোজন প্ৰবল হৈ সৰু সৰু স্বাধীন ৰজাৰ নিচিনা হৈ পৰিল। তেওঁলোককো ভুঞা বোলা হৈছিল। ভুঞা মানে ভূমিৰ অধিকাৰী, অৰ্থাৎ জমিদাৰ। সেইদেখি সি জাত বুজোৱা উপাধি নহয়। সেইদেখি মেচৰ ভিতৰতো ভুঞা, কায়স্থৰ ভিতৰতো ভুঞা, মধ্যভাৰতৰ অনাৰ্য্য আৰ্য্য আৰু দুই-মিহলি জাতিৰ ভিতৰতো ভুঞা পোৱা যায়। সেইদেখি লক্ষীমপুৰীয়া ভুঞাৰে সৈতে শঙ্কৰৰ বংশীয় ভুঞাৰ সম্বন্ধ বিচৰা অনাৱশ্যক। এইবাবেই ভুঞাসকল বেলেগ হৈ থকা বাৰজন লক্ষীমপুৰত থকা আৰু সৰু বাৰজন বিশ্বনাথত থকা বুলি খ্যাত ভুঞাসকলেৰে সৈতে চণ্ডীবৰৰ বংশৰ ভুঞাৰ সম্পৰ্ক উলিয়াবলৈ যোৱাটো বৃথা বিবেচনা কৰোঁ।

—প্ৰবন্ধকাৰ।

দ্বিতীয় অধ্যায়

জন্মৰপৰা বাৰ বছৰলৈকে

আগৰ কালত প্ৰায় সকলো শক্তিমন্ত লোকৰে জন্মবৃত্তান্তৰ গুৰিত অলপ-অচৰপ অলৌকিক ঘটনা পোৱা যায়। ঈশ্বৰ অৱতাৰ বুলি প্ৰখ্যাত শঙ্কৰদেৱৰ জীৱনচৰিত্ৰতো যে তেনে কথা থাকিব তাত আশ্চৰ্য্য নাই। শঙ্কৰ-চৰিত্ৰত আছে যে কুসুমবৰ ভূঞাঁৰ এজনী কপিলী খীৰতী গাই আছিল। গাইজনীয়ে প্ৰত্যেক নিশা গোহালিৰপৰা মুকলি হৈ গৈ সাঁতুৰি ব্ৰহ্মপুত্ৰ নৈ পাৰ হৈ শিঙ্গৰিত থকা গোপেশ্বৰ শিৱক গাখীৰ দি আহি আকৌ গোহালিত আগৰ দৰে সোমাই থাকেহি। সদাই পুৱা গৰুজনীৰ গাটো এইদৰে তিতি থকা দেখি সন্দেহ হলত কি কথা কি বতৰা নো বুলি তাৰ ওৰ উলিয়াবৰ নিমিত্তে এদিন ৰাতি খাপ দি থকা হল। সেই কাৰ্য্যৰ দ্বাৰাই জনা গল যে তাই প্ৰত্যেক ৰাতি নৈ পাৰ হৈ গোপেশ্বৰ শিৱক গাখীৰ যোগাই আছে গৈ। কুসুমবৰে এই কথা জানিব পাৰি বৰ সন্তোষ লভি, পূজাৰ সামগ্ৰী লৈ গৈ গোপেশ্বৰক পূজা কৰিলে। গোপেশ্বৰে সন্তুষ্ট হৈ কুসুমবৰক তেওঁৰ পুত্ৰ হব বুলি বৰ দিলে।

কুসুমবৰৰ দেৱ আৰাধনা আৰু শঙ্কৰৰ জন্ম সম্বন্ধে ৰামচৰণ ঠাকুৰ প্ৰণীত গুৰুচৰিত্ৰত এইদৰে আছে :—

"পাছে এক দিন, অসন্তোষ মনে, শয্যাত কৈলা শয়ন।
পৰম সুন্দৰ, বিপ্ৰ একজন, স্বপ্নে পাইলা দৰিশন॥
ব্ৰাহ্মণে বোলন্ত, শুনিও কুসুম, চিন্তা দেখোঁ বহুতৰ।
কৈলোঁ সাৰোত্তৰ, পুত্ৰ পাইবা বৰ, অৰ্চ্চা কৰা গোপেশ্বৰ॥
পাছে প্ৰভাতত, বিপ্ৰক মিলয়া, স্বপুন কথা কহিলা।
উত্তম উত্তম, সুস্বপ্ন বুলিয়া, বিপ্ৰগণে প্ৰশংসিলা॥
কদলী মধ্যত, নৱ দ্ৰব্য যত, সম্ভাৰ লয়া অশেষ।
পাছে ভাৰ্য্যা সমে, আনন্দিত মনে, শিঙ্গৰি কৈলা প্ৰৱেশ॥
কৰি স্নান দান, শুক্ল পৰিধান, প্ৰৱেশি দেৱ মন্দিৰ।
প্ৰণতি পৰ্ব্বক, স্তুতি আৰম্ভিলা, চিত্তক কৰিবা স্থিৰ॥

* * *

সেহি মন্দিৰত, ধৌত বস্ত্ৰ পিন্ধি, ভূমিত কৈলা শয়ন।
অৰ্দ্ধৰাত্ৰি গৈলে, ঈশ্বৰ কৃষ্ণক, স্বপ্নে পাইলা দৰিশন॥
গৰুড় স্কন্ধত, ভৈলন্ত বেকত, শৰীৰ পীত বসন।
চাৰিখান হাত, প্ৰকাশে সাক্ষাত, ৰূপে মোহে ত্ৰিভুবন॥
ভৈলন্ত বিস্ময়, দেখি জ্যোতিৰ্ম্ময়, নাপাৰিলা চাহিবাক।
কম্বুৰ গিৰিয়ে, স্তুতিহত ভৈলা, নোবলন্ত একো বাক॥
কৃতাঞ্জলি কৰি, তহিতে আছয় ভূতপতি ত্ৰিনয়ন।
তাহাক সম্বোধি, আনন্দিত মনে, বুলিলা হৰি বচন।
শুনা জটাধৰ, কহিয়ো গন্ধৰ্ব, কুসুমৰ আগে যাই।
তাহান গৃহত, হৈবে অৱতাৰ, কহিলোঁহোঁ সমুদাই॥
এহি আজ্ঞা কৰি, তহিতে তেখনে, ভৈলা হৰি অব্যকত।
ঈশ্বৰৰ বাণী, শুনি শূলপাণি, কহিলন্ত কুসুমত।
স্বগত আধাৰ, হৈবে অৱতাৰ, জানিবা তযু গৃহত।
ৰুদ্ৰৰ বচন, শুনি তেতক্ষণ, আনন্দ ভৈল মনত॥
লভিয়া চেতনা, শুণে মনে মনে বোলন্ত ৰব লভিলোঁ।
জানিলোঁ সুস্বপ্ন, ফলিল আমাত, যিসব পূৰ্ব্বে দেখিলোঁ॥
ভাৰ্য্যাক বোলন্ত, শুনিয়ো ঘৰিণী, কহিলন্ত মহেশ্বৰ।
আমাৰ গৃহত, হৈবে অৱতাৰ, জানিলোঁহো গদাধৰ॥"

দৈত্যাৰি ঠাকুৰে লেখা চৰিত্ৰতো সংক্ষেপে প্ৰায় এনে কথাই আছে :—

"পুত্ৰ কামে নানা কৰ্ম্মক আচৰন্ত।
পুত্ৰ কামে হৰিবংশ শাস্ত্ৰাদি শুনন্ত॥
নানা কৰ্ম্ম কৰন্ত পুত্ৰক আশা কৰি।
নাপাইলন্ত পুত্ৰ তন্ত্ৰ মন্ত্ৰক আচৰি॥
পাছে জ্ঞাতি মিত্ৰ ভাৰ্য্যা সমে আলোচিলা।
পুত্ৰ কামনায় মহেশক আৰাধিলা॥
তান ভকতিত তুষ্ট ভৈলন্ত শঙ্কৰ॥
স্বপ্নত তাহাক শম্ভু দিলা পুত্ৰ বৰ।"

'বাঁহী'ত ছপা হোৱা '[illegible]' গুৰু-চৰিত্ৰ পুথিত আছে ১৩৭১ শকৰ কাতিৰ সংক্ৰান্তিৰ অমাবস্যা তিথিত বৃহস্পতিবাৰৰ মাজ নিশাত শঙ্কৰদেৱৰ জন্ম হয়।

দৈত্যাৰি ঠাকুৰৰ পুথিত আছে :—

"শুভক্ষণ শুভ লগ্ন নক্ষত্ৰ মিলিল।
সেহি বেলা কুসুমৰ পুত্ৰ উপজিল॥
দোভাগ ৰজনী অন্ধকাৰ তমোময়।
সুতিকাৰ গৃহ গোট দেখি জ্যোতিৰ্ম্ময়॥
মধুৰ গৰ্জ্জনে মেঘসবে গৰজয়।
ঘোড়া সব চিহঁৰি উঠিল অতিশয়॥
উপজিল পুত্ৰ কথা কুসুমে শুনিলা।
পৰম আনন্দে স্নান সবস্ত্ৰে কৰিলা॥"

কোনো কোনোৰ মতে আহিন মাহৰ পাঁচ দিন যোৱাত শুক্লা দশমী তিথি শুকুৰবাৰ, ৰাতি চাৰি দণ্ড যোৱাত, ১৩৭১ শকত, শঙ্কৰদেৱ ভূমিষ্ঠ হৈছিল। কোনোৱে কয়, ফাগুন মাহৰ তৃতীয়া তিথি বৃহস্পতিবাৰে তেওঁৰ জন্ম।

এই মতবোৰ মিলালে ১৩৭১ শকৰ কাতিৰ নাইবা আহিনৰ, নাইবা ফাগুনৰ বৃহস্পতিবাৰে ৰাতি মাজনিশা শঙ্কৰদেৱৰ জন্ম বুলি ধৰিব পাৰি।

চৰিত্ৰ পুথিত আছে—শঙ্কৰদেৱৰ জন্ম হোৱা মাত্ৰকে ভূঞাসকলৰ ঘৰৰ দেৱীমূৰ্ত্তিৰ আগত জ্বল

থকা এখনগড়ু শক্তি নুমাল, আৰু দেবীমূৰ্ত্তিসকল কান্তি হৈ পৰিল ; ভূঞাঁসকলৰ ঘৰত এনে পুনা সৰিয়হ থকা সৰিবচন তুলি বাগৰি পৰিল।

যজ্ঞী-যাগৰ পিছত সন্তৰাম দৈৱজ্ঞক মতাই আনি গণোৱাত, দৈৱজ্ঞই গণি-পচি কলে যে, এই শিশুৰ দ্বাৰাই অসংখ্য প্ৰাণীয়ে মুক্তি পাব ; দেবীৰ উপাসনা লোপ হব ; স্মৃতি, ভাগৱত, পুৰাণাদি সৰল ভাষাত ৰচিত হৈ মানুহে অলপ বিদ্যাৰে বহুত জ্ঞান লাভ কৰিব পৰা কোমল শাস্ত্ৰসকল প্ৰচাৰিত হব, নাম-ধৰ্ম্ম উজান ভাটিত প্ৰচাৰিত হব।

সন্তৰাম দৈৱজ্ঞই নিৰ্ণয় কৰি কলে যে, শঙ্কৰদেৱৰ ধনু ৰাশি, দেৱ গণ, ৰোহিণী নক্ষত্ৰ, আৰু মাহেন্দ্ৰ যোগত জন্ম।

তেওঁৰ প্ৰকাশ্য নাম শঙ্কৰ, গুপ্ত নাম গঙ্গাধৰ। তেওঁৰ দহোটা নাম—শঙ্কৰ, গঙ্গাধৰ, মহাপুৰুষ, ডেকাগিৰী, অধিকাৰী, সন্ত, মহন্ত, আতা, গোমোস্তা, জগন্নাথ।

দৈত্যাৰি ঠাকুৰৰ পুথিত আছে—

"শঙ্কৰৰ ঘৰত পুত্ৰক লভিলন্ত।
এতেকে শঙ্কৰবৰ নামক থৈলন্ত ॥
গুপ্ত নাম তাহান থৈলন্ত গঙ্গাধৰ।"

শঙ্কৰৰ জন্মৰ তিনি দিনৰ অন্তত মাক সত্যসন্ধাৰ মৃত্যু হয়, * সেইদেখি বুঢ়ীমাক (কুসুমবৰৰ মাক) খেৰসূতীয়ে শঙ্কৰক তুলি-তালি ডাঙৰ-দীঘল কৰে। কোনো কোনো চৰিত্ৰ-পুথিত এই কথাৰ লৰ পোৱা যায়। তাত শঙ্কৰলৈ ছোৱালী খোজাৰ পিছত হে সত্যসন্ধা ঢুকুৱাৰ কথা পোৱা যায়। ৰৰদোৱাৰ গুৰুচৰিত্ৰ পুথিত আছে যে শঙ্কৰদেৱে সূৰ্য্যাৱতীক বিবাহ কৰাৰ কিছুদিনৰ পিছত কুসুমবৰৰ মৃত্যু হয় ; আৰু তাৰ কিছুদিনৰ পিচত সত্যসন্ধাৰ মৃত্যু হয়। দৈত্যাৰি ঠাকুৰৰ পুথিত আছে, শঙ্কৰৰ জন্মৰ কিছু দিনৰ পিছত কুসুমবৰৰ পৰলোক হয় ; আৰু তেওঁৰ পত্নী সত্যসন্ধা সতী যায় ; শঙ্কৰক তেওঁৰ বুঢ়ীমাক খেৰসূতীয়ে তুলি-তালি ডাঙৰ কৰিছিল :—

"তাত পাছে যেন ভৈল শুনিয়োক।
কতো দিনে কুসুম গৈলন্ত পৰলোক ॥
দেখিলা ভাৰ্য্যায়ে তান মৰিলন্ত স্বামী।
মনত চৰিষে তেহোঁ ভৈলা অনুগামী ॥
কুসুমৰ মাতৃ শঙ্কৰৰ বুঢ়ী আই।
তেঁহে তুলিলন্ত বৰ ভৈলা দুয়ো তাই ॥"—দৈত্যাৰি।

ঈশ্বৰৰ অংশ বা পূৰ্ণাৱতাৰ বুলি যিসকল মহাপুৰুষ প্ৰসিদ্ধ, তেওঁলোকৰ জীৱনৰ ঘটনাবোৰত, বিশেষকৈ আগডোখৰৰ ঘটনাবোৰত অলৌকিকতাৰ সংমিশ্ৰণ থাকে বুলি আমি আগতে কৈ আহিছোঁ। শঙ্কৰদেৱ, চৈতন্যদেৱ, পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণৰ অৱতাৰ বুলি তেওঁলোকে প্ৰবৰ্ত্তোৱা ধৰ্ম্মমতাৱলম্বীসকলৰ ভিতৰত স্বীকৃত দেখি তেওঁলোকৰ পন্থীয়া চৰিত্ৰ-লিখকসকলে তেওঁলোকৰ বাল্যজীৱনৰ ঘটনাবোৰত শ্ৰীকৃষ্ণৰ বাল্যজীৱনৰ ঘটনাবোৰৰ সাদৃশ্য উলিয়াই বৰ্ণনা কৰে। এই কাৰণৰ নিমিত্তেই আমি শঙ্কৰৰ বাল্যলীলাত কৃষ্ণৰ বাল্যলীলাৰ ছাঁ চৰিত্ৰৰ পুথিবিলাকত পাওঁ। গোটাচেৰেক উদাহৰণ তলত দিলোঁ :—

এদিন কুসুমবৰৰ ভনীয়েকে নৱ-প্ৰসূতা বালক শঙ্কৰক চাবলৈ আহি অশুচি গাৰে কোলাত লোৱাত, তেওঁৰ (পেহীয়েকৰ) চকু থিৰ হৈ তেওঁ বিমূৰ্চ্ছিত হৈ ঢলি পৰিছিল। এই ঘটনাটো শিশু কৃষ্ণ আৰু পুতনাৰ ঘটনাৰে সৈতে মিলোৱা হয়।

এদিন শিশুক শয্যাত শুৱাই পঁওতে শোৱা ঘৰটি ভাগি পৰিল, কিন্তু সি শঙ্কৰৰ গাত নালাগি আলাসতে বৈ আছিল। এই ঘটনাক, শ্ৰীকৃষ্ণই লাথি মাৰি শকট ওলোটাই পেলোৱাৰে তুলনা কৰা হয়।

এদিন শিশু শঙ্কৰক ঘৰৰ ভিতৰত শয্যাত শুৱাই থোৱাত চকৰী-ফেটী সাপ এটাই ফণা তুলি তেওঁৰ মূৰত ছত্ৰ ধৰি আছিল। এই কাৰ্য্য তেওঁৰ ধাইমাক চন্দৰীয়ে দেখা পাই ভয় খাই লৰি গৈ বুঢ়ীমাক খেৰসূতীক কোৱাত খেৰসূতীয়ে লৰি গৈ শঙ্কৰক সাৱটি ধৰাত সাপটো গুচি গ'ল। এই ঘটনাও কৃষ্ণৰ মূৰৰ ওপৰত অনন্তই ফণাৰে ছত্ৰ ধৰাৰে মিলোৱা হয়।

---

* আমাৰ মনত শঙ্কৰদেৱৰ তিৰিব কীৰ্ত্তনৰ তৃতীয় দিনৰ দিনা পূজ্য পিতৃদেৱতা দীননাথ বেজবৰুৱাই চৰিত্ৰ আলোচনা কৰা আমাৰ মনত আছে যে শঙ্কৰদেৱৰ মাতৃ শঙ্কৰদেৱৰ জন্মৰ তিনি দিনৰ মূৰত ঢুকায়। কোৱা বাহুল্য যে মহাপুৰুষীয়া সম্প্ৰদায়ৰ নাম প্ৰসঙ্গ নীতিনিয়ম আৰু গুৰুসকলৰ চৰিত্ৰ, ধৰ্ম্ম, কৰ্ম্ম সম্পৰ্কে আমাৰ পিতৃদেৱতা authority স্বৰূপে মান্য আছিল। এই মহাপুৰুষীয়া সত্ৰসকলৰ অনেক সন্ত সাধু ভকতসকলে নাম প্ৰসঙ্গৰ বিশুদ্ধ প্ৰণালী আৰু দুই মহাপুৰুষ শঙ্কৰ মাধৱৰ চৰিত্ৰৰ অনেক গোপনীয় তত্ত্ব তেওঁৰ ওচৰত শিকিবলৈ অহা আমি দেখিছিলোঁ; সেইদেখি এই বিষয়তো তেওঁৰ মতকে প্ৰামাণ্য বুলি আমি বিবেচনা কৰিলোঁ। বিশেষ, শঙ্কৰদেৱৰ বাল্যকালত তেওঁৰ বুঢ়ীমাক খেৰসূতীক হে শঙ্কৰৰ আবৰক লোৱাৰ সকলো বিৱৰণতে পোৱা যায়, মাক সত্যসন্ধাক পোৱা নাযায়। পণ্ডিতে উপযুক্ত কোৱা এই মতকে সঁচা বুলি নিঃসন্দেহে ধৰি লব পাৰি।

শ্ৰদ্ধাস্পদ হৰিকান্ত গোস্বামীয়ে (কমলিয়া সত্ৰ) কয়—"১৩৭৬ শকত শঙ্কৰৰ পিতৃ স্বৰ্গী হয়, আৰু মাক সতী যায়"।

শিশুকালৰেপৰা শঙ্কৰৰ লগৰীয়া ৰামৰাম গুৰু। ৰামৰাম, চণ্ডীৱৰৰে সৈতে একেলগে মহা কৃষ্ণ পণ্ডিতৰ বংশধৰ। কৃষ্ণ পণ্ডিতৰ পুতেক যজ্ঞেশ্বৰ তেওঁৰ পুতেক নৰোত্তম, তেওঁৰ পুতেক মৃত্যুঞ্জয়, তেওঁৰ পুতেক চতুৰ্ভুজ চতুৰ্ভুজৰ পুতেক ৰামৰাম। ৰামৰাম শঙ্কৰতকৈ পাঁচ বছৰৰ ডাঙৰ আছিল। ৰামৰাম গুৰুক মহাপুৰুষীয়া চৰিত্ৰ-লিখকসকলে গ্ৰন্থৰ স্ৰষ্টা বুলি কয়।

শঙ্কৰদেৱৰ ক্ৰমে লৰি ফুৰিব পৰা হ'ল। দিনে-ৰাতিয়ে তেওঁৰ ধেমালিৰ বাহিৰে আন একো কাম নাছিল। লগৰীয়া-সমনীয়া ল'ৰাবিলাকেৰে সৈতে তেওঁ উমলি-জামলি ৰং-ধেমালি কৰি লৰি-ঢাপৰি নাচি-বাগি কোঢ়াল কৰি কাল কটাইছিল। কেতিয়াবা খিলা খেলিছিল, কেতিয়াবা কোটোৰা খেলিছিল, কেতিয়াবা কেতিয়াবা বিৰিণাৰ জোপাত সোমাই লুকা-ভাকু কুক-ভা খেলিছিল, আৰু কেতিয়াবা ভটা খেলিছিল। এদিন লগৰীয়া ল'ৰা-বিলাকেৰে সৈতে তেওঁ হাবিলৈ গৈ তাৰপৰা পছ-পোৱালি এটা ধৰি আনিছিল, আৰু অলপ সময় সেই পছ পোৱালিটোৰে সৈতে তেওঁ ধেমালি কৰি আকৌ তাক এৰি দিলে। এদিন তেওঁ খটা চৰাই এটা ধৰি আনি ধেমালি কৰিছিল, কিন্তু লগৰ ল'ৰাবোৰে চৰাইটোক কষ্ট দিব খোজাত সিহঁতক বাধা দি চৰাইটো এৰি দিলে। তেওঁ ধেমালিতে ভাদমহীয়া ব্ৰহ্মপুত্ৰ সাঁতুৰি ইপাৰ-সিপাৰ হৈছিল। এদিন তেওঁ ব্ৰহ্মপুত্ৰত বুৰ মাৰি পানীৰ তলত ভালেখিনি বেলি আছিল। পানীৰ পৰা ইমানখিনি সময়তো শঙ্কৰ নোলোৱা দেখি লগৰীয়া ল'ৰাবোৰে ভয়ত কান্দিবলৈ ধৰিলত তেওঁ ওলাই আহিল। এদিন শঙ্কৰে লগৰীয়া সকলেৰে সৈতে ব্ৰহ্মপুত্ৰৰ পাৰত উমলি ফুৰোঁতে দেখিলে যে এটা শিহুৱে নৈৰ পানীত বুৰ মাৰি উজাই গৈছে। শঙ্কৰেও পানীত বুৰ মাৰি সেই শিহুটো ধৰি আনি ল'ৰা-বিলাকক দেখুৱাই আকৌ তাক পানীত এৰি দিলে। শঙ্কৰৰ যেতিয়া দহ বছৰ বয়স, তেতিয়া এদিন তেওঁলোকৰ ঘৰত এটা ডাঙৰ সাপ সোমাইছিল। সাপটো দেখি বুঢ়ীমাক আৰু ধাইমাক চলৰীৰ চুলিৰ আগে ধাতু গ'ল। এনেতে শঙ্কৰ ঘৰ পালেহি। তেওঁ থাপ মাৰি সাপটোৰ নেজত ধৰি একেচোচাই টানি নি তাক চোতাল পোৱালেগৈ; আৰু মূৰৰ ওপৰলৈ তুলি আকাশতে পাকচেৰেক ঘূৰাই দূৰলৈ মাৰি পঠিয়ালত সাপৰ প্ৰাণ গ'ল। মহাপুৰুষীয়া ভকতসকলে এই ঘটনাটো শ্ৰীকৃষ্ণৰ শিশুলীলাৰ বৎসাসুৰ বধৰে সৈতে তুলনা কৰে। শঙ্কৰে বাৰ বছৰলৈকে এইদৰে নানা প্ৰকাৰে উমলি ফুৰি কাল কটাইছিল।

তৃতীয় অধ্যায়

বাৰ বছৰৰ পৰা বত্ৰিশ বছৰলৈকে

এদিন শঙ্কৰে ভাত খাবলৈ বহোঁতে খেৰসূতী বুঢ়ীমাকে তেওঁক ক'লে, 'বাপু, তুমি পঢ়িব লাগে। আমাৰ বংশত উপৰি পুৰুষ সকলো পণ্ডিত। তোমাৰ এতিয়া ইমান বছৰ হ'ল, তুমি নপঢ়িলে মূৰ্খ হৈ থাকি বংশৰ গ্লানি আনিবা, আৰু তুমি ভৱিষ্যতত দৰিদ্ৰ হৈ দুখত কাল কটাব লাগিব। ভ্ৰাতৃয়ে ধনসম্পত্তিৰ ভাগ পায় বিদ্যাধন কোনোৱে ভাগ কৰিব নোৱাৰে, চোৰেও চুৰ কৰিব নোৱাৰে।' শঙ্কৰে বুঢ়ীমাকৰ এই কথা শুনি উত্তৰ দিলে "কোন পণ্ডিতৰ ওচৰত পঢ়িব লাগে, মোক পঠিয়াই দিয়াঁ, মই অলপ দিনৰ ভিতৰতে পঢ়ি তোমালোকৰ মনত সন্তোষ দিম।" এই কথা শুনি বুঢ়ীমাকে ভাল দিন-ক্ষণ চোৱাই মহেন্দ্ৰ কন্দলিৰ পঢ়াশালিত পঢ়িবলৈ শঙ্কৰক পঠিয়াই দিলে। * ভাদ মাহৰ কোনো এটা বৃহস্পতি-বাৰে শুভলগ্ন চাই শঙ্কৰৰ বিদ্যাৰম্ভ কৰা হ'ল, আৰু সেইদিনাই তেওঁ ক, খ, আদি ব্যঞ্জনবৰ্ণ শিকিলে। ব্যঞ্জনবৰ্ণ শিকাৰ পিচতে শঙ্কৰে অকল ব্যঞ্জনবৰ্ণ জোঁটাই এটি পয়াৰ কৰি অধ্যাপক মহেন্দ্ৰ কন্দলিক দিয়াত কন্দলিয়ে আচৰিত মানি মনত বৰ সন্তোষ পালে। অকল ক-ফলা পঢ়িয়েই যি ল'ৰাই এনে পদ্য বা কবিতা লেখিব পাৰে, সেই ল'ৰাৰ ভৱিষ্যত কি, সহজেই অনুমান কৰিব পাৰি। কবিতাটো কেনে শুৱলা আৰু সুন্দৰ ভাবি চাওক—

কৰতল কমল কমল দল নয়ন।
ভৱদৱ দহন গহন বন শয়ন॥
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয়॥
খৰতৰ বৰ শৰ হত দশবদন।
খগচৰ নগধৰ ফণধৰ শয়ন॥
জগদঘ মপহৰ ভৱভয় তৰণ।
পৰপদ লয় কৰ কমলজ নয়ন॥

গুৰুক আনিয়া পাছে ভোজন কৰন্ত। সেহি সময়ত তাক গোসাঁঞী মাতন্ত॥
তনয়ে চাহন্ত তই উমলি ফুৰন। এতমান তৈলি আনি এজো নপৰন॥
হেন শুনি শঙ্কৰে পঢ়িবে নিতে যান্ত। ক আদি পৰ্য্যন্ত ফলা সবে পঢ়িলন্ত॥
পঢ়িলন্ত আৰ যত পঢ়িবে লাগয়। সন্ধি সংজ্ঞা সাধিবে লাগিলা মহাশয়॥ —দৈত্যাৰি।

ভাঙবলৈকে উমলি ফুৰি শঙ্কৰদেৱৰ এনে অভ্যাস হৈছিল যে, এদিন তেওঁ পঢ়াশালিৰ অধ্যাপকৰ এটকা ৰূপ আৰু এখন কাপোৰ লুকাই ভেঁটা দি অধ্যাপকৰপৰা বিদায় লৈ উমলিবলৈ গৈছিল, অধ্যাপকে সেই ৰূপ আৰু কাপোৰ খেৰসূতী বুঢ়ীআইক ওভোতাই দিলত বুঢ়ীমাকে বুজ পাই শঙ্কৰক দাবী দিলত হে সেই দিনাৰপৰা শঙ্কৰে ভালকৈ মন দি পঢ়িবলৈ ধৰিলে। * চৰিত্ৰ পুথিত লেখা আছে যে এদিন একাদশী তিথিত সকলো ছাত্ৰে পাঠ শেষ কৰি ঘৰাঘৰি গ'ল, কিন্তু শঙ্কৰে পঢ়াশালিতে শুই থাকিল। তেওঁৰ শৰীৰত ৰ'দ পৰাত এটি সৰ্পই ফণাৰে ছাঁ দি আছিল, এনেতে মহেন্দ্ৰ কন্দলি আহি ওলালত সাপটো গুচি গ'ল। সেইদিনাৰপৰা কন্দলিয়ে শঙ্কৰক শঙ্কৰদেৱ বুলিবলৈ ছাত্ৰসকলক আজ্ঞা শুনাই দিলে আৰু কলে যে আজিৰ পৰা শঙ্কৰে পঢ়াশালি মচিব নালাগে। এদিন ৰাঘৱাচাৰ্য্য পণ্ডিত পঢ়াশালিলৈ আহোঁতে ছাত্ৰবিলাকে তেওঁক এইবুলি গোচৰ দিলে যে সিহঁতৰ অধ্যাপক কন্দলিয়ে শূদ্ৰৰ ল'ৰা শঙ্কৰক শঙ্কৰদেৱ বুলি মাতিবলৈ সিহঁতক আজ্ঞা দিছে, আৰু শঙ্কৰে পঢ়াশালি মচিব নেলাগে বুলি কৈছে। আচাৰ্য্যই এই কথা শুনি কন্দলিৰ ওপৰত খং কৰিছিল। কিন্তু ৰাতি আচাৰ্য্যই শুই থাকোঁতে সমাজিকত দণ্ড পাই পিচদিনা শঙ্কৰদেৱৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছিল বুলি চৰিত্ৰ-পুথিত আছে। চোকা বুদ্ধিৰ ল'ৰা শঙ্কৰে অতি অলপ কালৰ ভিতৰতে বিদ্যা শিক্ষা কৰি অনেক শাস্ত্ৰ পঢ়ি বৰ পণ্ডিত হৈ পৰিছিল। অধ্যাপকে তেওঁক কোনো পাঠ এবাৰ দেখুৱাই দিলে দুনাই আৰু তাক দেখুৱাবলগীয়া নহৈছিল। বিদ্যাৰ সোৱাদ পাই শঙ্কৰে দিনে-ৰাতিয়ে শাস্ত্ৰচৰ্চা শাস্ত্ৰালাপৰ বাহিৰে আন কথাত কালক্ষেপ নকৰিছিল। মহেন্দ্ৰ কন্দলিয়ে শঙ্কৰৰ বুদ্ধিৰ প্ৰখৰতা আৰু অনায়াসে শাস্ত্ৰ আয়ত্ত কৰিব পৰা ক্ষমতা দেখি কুসুম্বৰক কৈছিল যে তেওঁৰ পুতেক "বিজয় পণ্ডিত" হব। শঙ্কৰদেৱে পঢ়া শেষ কৰি পঢ়াশালি এৰাৰ পিছত পিতৃ কুসুম্বৰে কন্দলিক মতাই আনি খুৱাই-বুৱাই দক্ষিণা দি বিদায় দিছিল। ১৩৮২ শকত খেৰসূতী বুঢ়ীমাকে শঙ্কৰক উত্তৰি দিয়ায়। পঢ়াশালি এৰাৰ পাছত শঙ্কৰে যোগশাস্ত্ৰ পাই যোগাভ্যাস কৰিবলৈ ধৰি সেই বিদ্যাত তেওঁ পৰম নিপুণ হৈ পৰিছিল, আৰু কুম্ভক যোগ আদি কৰি প্ৰাণ, অপান আদি বায়ু বশ কৰি লোকক তেওঁৰ ক্ষমতা দেখুৱাই আচৰিত কৰিছিল। এদিন তেওঁ যোগাসনত বহি কুম্ভক যোগ অভ্যাস কৰোঁতে তেওঁৰ দেহৰ গহনাদি ছিগি গৈছিল আৰু বাওঁহাতৰ বুঢ়া আঙুলি মাটিত দি ভৰ দি থিয় হোৱাত পাম ওপৰলৈ উঠা দেখি দৰ্শক লোকসকল আচৰিত হৈছিল। দৈত্যাৰি ঠাকুৰ বিৰচিত পুথিত আছে:—

"প্ৰাণ অপান সমান উদান আদি কৰি বায়ু চয়।
বশ্য কৰিলন্ত, চলাইবে পাৰন্ত, যি বায়ু বৈত লাগয় ॥
বায়ুক ক্ষেপিয়া, উশাস ধৰিয়া, আসন ভিৰি হৰিষি।
থাকন্ত সদায়, সুনিশ্চল কায়, দিন দুই চাৰি বসি ॥
জলে বুৰ দিয়া, থাকন্ত বসিয়া, জলৰ ভিতৰে যাই।
জল দূৰ কৰি, পৰ দুই চাৰি, জলে নিভিজয় কায় ॥
বস্ত্ৰো নিভিজয়, শুখান থাকয়, উঠন্ত পুনু জলৰ।
বাহু প্ৰদেশত, সৰসে বান্ধন্ত, নবীন ডোৰে পাটৰ ॥
বায়ু ক্ষেপি নিয়া বাহু ওফন্দিয়া, বায়ুৰ লন্ত প্ৰমাণ।
নৱ পাট ডোৰ, ছিঙি ঝটৰাই, পৰে ক'তো দূৰমান ॥
আনো আনো মত, কৰন্ত সতত, বায়ু সমে ক্ৰীড়া আতি।
যোগ শাস্ত্ৰ মত, ধৰি যোগ যত, আচৰন্ত দিনে ৰাতি ॥
ধ্যান, ধাৰণা, সমাধি, আসন, প্ৰাণায়াম আদি যত।
বিষয়ত মতি, ত্যজিয়া সম্প্ৰতি, আচৰা মাত্ৰ সতত ॥
শৰীৰৰ ছয় চক্ৰক ছিণ্ডন্ত, মনত কৰি নিয়ম।
পাছে ভাগৱত শাস্ত্ৰক পাইলন্ত সবাতো কৰি উত্তম ॥
ভাগৱত তত্ত্ব জানিয়া পাছন্ত এৰিলা যোগ অভ্যাস।"

শঙ্কৰদেৱ দেখিবলৈ সুপুৰুষ আছিল, আৰু তেওঁৰ গাৰ বৰণ কেচাসোণৰ বৰণ যেন আছিল। দৈত্যাৰি ঠাকুৰে লেখিছে—

"দেখিতে সুন্দৰ গৌৰবৰ্ণ কলেৱৰ।
কৰন্ত প্ৰকাশ অতি সূৰ্য্য সমসৰ ॥
ৰূপ দেখি কন্দৰ্পৰো দৰ্প হোৱে চূৰ্ণ।
সৰ্ব্বজন বঞ্জি থাকে মধুৰ বচন ॥
গমন গম্ভীৰ, নেত্ৰ কমলৰ পাসি।
চন্দ্ৰসম বদন প্ৰকাশে অল্প হাসি ॥
সুবোধ সুধিৰ ধীৰ গম্ভীৰ সাগৰ।
প্ৰীতি বাঢ়ি যায় তান্ত সমস্ত লোকৰ ॥"

মাধৱদেৱে লিখিছে—

"দৰশিতে সুন্দৰ গৌৰ কলেৱৰ, যৈচন সুৰ পৰকাশ।
সকলো সভাসদৰজন যাকেৰি দৰশনে পাপ বিনাশ ॥
বিনা অঙ্গভূষণ, পেখিতে সুশোভন, গহীন গম্ভীৰ ধীৰ
মূৰ্ত্তি।

* "সেই দিন ধৰি উমলিবেক নযান্ত। পৰম যতনে গুৰু গৃহত পঢ়ন্ত ॥ যাবেক দেখাই দিলে এতেকে পাৰন্ত। অতি অনায়াসে গুৰু তাহাক পঢ়ান্ত ॥ পঢ়িলন্ত নিৰন্তৰে শাস্ত্ৰ সমস্তয়। অপ্ৰমাণী পণ্ডিত চৈতন্য মহাশয় ॥ অবিৰত সমস্ত শাস্ত্ৰক বিচাৰন্ত। শাস্ত্ৰালাপ বিনে আন কৰ্ম নাচৰন্ত ॥ শাস্ত্ৰৰ তত্ত্বক জানি মনত ধৰিবে। পৰলোক হিত মাত্ৰ চিন্তে অহৰ্নিশে ॥ পণ্ডিত সমায় বঞ্জি কৃপাময় মন। শিশু হন্তে ধৰ্ম মাত্ৰ কৰন্ত গমন ॥"—দৈত্যাৰি।

আয়ত্ত কমল-নয়ন বৰ সুন্দৰ বয়ন চান্দকহো জ্যোতি ॥
লীলা গজপতি গমন বিলোকন, বাণী মেঘ গম্ভীৰ ।
পাষণ্ডমৰ্দ্দন কলিক কালে যাক সম নাহি ধীৰ ॥"

শঙ্কৰদেৱ যেনে গুৱনি পুৰুষ আছিল তেওঁৰ গাত তেনে বৰ বলো আছিল। চৰিত্ৰ-পুথিত আছে—এদিন তেওঁ কমলি ধৰা পৰমানন্দ আতৈৰ সৈতে বাটেদি যাওঁতে এটা দুষ্ট ষাঁড়ে তেওঁক খুচিবলৈ খেদি অহা দেখি তেওঁ ককালত কাপোৰ বান্ধি লৈ দুইহাতে ষাঁড়টোৰ দুই শিঙত ধৰি যাৰ-মুচৰি তাক পিছহোঁহোকাই পেলাই দিলত ষাঁড়টো মৃতকল্প হৈ অলপমান পৰি থাকি, উঠি পলাই লৰ মাৰিলে। এই ষাঁড়টোৱে নটা মানুহ মাৰিছিল। কুৰি বছৰ বয়সত শঙ্কৰে এই যাণ্ডমৰ্দ্দন কৰিছিল। ৰামচৰণ ঠাকুৰে লেখিছে, শঙ্কৰদেৱে ষাঁড়টোৰ এই দুৰ্গতি কৰি ঘৰলৈ যাওঁতে, "পথত সকলো লোকে শঙ্কৰক দেখি। প্ৰভাৱ শুনিয়া সেৱে ক্ষণেকো নাপেক্ষি ॥ সৰস্বতী মিশ্ৰ দ্বিজে সিসৱ প্ৰভাৱ। জানিয়া প্ৰণাম কৰি গৈল সেহি ঠাৱ ॥ কতোক্ষণে পাইলা গৈয়া শঙ্কৰেও ঘৰ। বস্ত্ৰ খসাই স্নান কৰি আনন্দ বিস্তৰ ॥ বুঢ়াখাঁক আদি কৰি ভঞা দ্বিজগণ। পৰম আনন্দে বাৰ্ত্তা পুছে সৰ্ব্বজন ॥ ** পৰ্ম্মানন্দ কহিলন্ত সবাতো প্ৰত্যেক ॥ ** শুনি সৰ্ব্বলোক আনন্দৰ পাৰ নাই। জানিল মনুষ্য নোহে শঙ্কৰ গোসাঁই ॥"

দৈত্যাৰি ঠাকুৰে লেখিছে :—

"দিনেক শঙ্কৰদেৱ কৰিয়া ভোজন। কৰি মুখ শুদ্ধি কৰন্ত গমন ॥ খান চাৰি গুৱাপাণ বাম হাতে ধৰি। চলন্ত পথত অতি লীলাগতি কৰি ॥ সেহি বেলা ষাড় এক আগে উপগত। দেখিয়া শঙ্কৰদেৱ গুণন্ত মনত ॥ হঠাতে বাজিলোঁ পলাইবাক নাপাৰিলোঁ। দিবে দুখ ইটো মোক অৱশ্যে জানিলোঁ ॥ বাৰম্বাৰ ইটো মনুষ্যক মাৰিছয়। শিঙ্গ পাতি শঙ্কৰক খেদিয়া আসয় ॥ আছন্ত শঙ্কৰদেৱ ৰহি তাক চাই। মনে গুণি আন একো নপান্ত উপায় ॥ গুৱাপাণ এৰি দুই হাতে দুই শিঙ্গে। ধৰিয়া দিলন্ত ডাবি অতি বৰ ৰিঙ্গে ॥ পাছক লাগিয়া হেম্পোচিয়া তাঙ্ক নেন্ত। এৰাইবোঁ কিমতে বুলি মনত গুণন্ত ॥ দুই ভিতি খাল দিশ নাহি পলাইবাক। বাম পাশে খালত পেহলাইলা চিটে তাক ॥ খালে পৰি ধৰমৰ কৰে আতিশয়। ভয় হুয়া চাৰিও চৰণ আছাৰয় ॥ উঠি মল মূত্ৰ ত্যাজি শঙ্কৰদেৱক। দেখিয়া পলায় আৰ নাচাৱে পাছক ॥ খালে খালে মহাভয়ে লৰৰি পলায়। ৰঙ্গ মনে শঙ্কৰে আছন্ত তাক চাই ॥"—

"কছাৰী মুনিষ দুই দুৱাৰত থিত। হেন দেখি শঙ্কৰে ভৈলন্ত ভয়ভীত ॥ কিমতে পলাইবোঁ মনে মনে আলোচিলা। ভিতৰৰপৰা বৰ বেগে লৰ দিলা ॥ হেম্পোচিয়া চিটে পেহলাইলন্ত দুয়োজন। গৰকিলা দুইকো দিয়া বুকুত চৰণ ॥"—দৈত্যাৰি।

কছাৰীয়ে শঙ্কৰক ধৰিবলৈ তেওঁৰ ঘৰ-বেৰা দিলে। দুটা শকত বণুৱা কছাৰী তেওঁৰ ঘৰৰ দুৱাৰ-মুখত থিয় হৈ তেওঁক আগচি ধৰিলে। শঙ্কৰে কথা বিসঙ্গতি দেখি ভিতৰৰ পৰা ভো-ভো কৰে লৰি ওলাই আহি ঠেলা মাৰি কছাৰী দুটাক মাটিত পেলাই দি সিহঁতৰ গাৰ ওপৰত ভৰি দি গচকি ওলাই লৰ মাৰিলে। শঙ্কৰৰ কেনে সুস্থ আৰু সবল মনেৰে সৈতে সুস্থ আৰু সবল শৰীৰ আছিল চোৱাঁ। সুস্থ মন আৰু সুস্থ শৰীৰ যে মনুষ্যত্বৰ পূৰ্ণবিকাশৰ নিমিত্তে লাগতিয়াল আৰু শঙ্কৰে সেই দুটা পাইছিল দেখি তেওঁৰ জীৱনত ইমানবোৰ কাম কৰিব পাৰিছিল আৰু এই নিমিত্তেই তেওঁ দীৰ্ঘজীৱন লাভ কৰিছিল, এইটো নিশ্চয়।

এইডোখৰ কালত শঙ্কৰদেৱ তেওঁৰ বংশ পৰিয়ালৰ ভূঞা সকলেৰে সৈতে আলিপুখুৰীত আছিল। শঙ্কৰৰ উপৰি পুৰুষ চণ্ডীবৰে প্ৰথমতে লেঙামাগুৰিৰ পৰা আহি বৰদোৱাত বসতি কৰে, কিন্তু দেশবিভ্ৰাটত বৰদোৱা এৰি ভূঞাসকল আলিপুখুৰীলৈ গৈছিল। এতিয়া ভূঞাঁৰ বংশ পৰিয়াল ইমান বেছি হল যে তেওঁলোকক তাত ঠায়ে নটা হল; সেইদেখি এদিন তেওঁলোকে সেই কথা শঙ্কৰদেৱক জনাই আকৌ পূৰ্ব্বপুৰুষৰ ঠাই বৰদোৱালৈ উঠি আহিবলৈ ইচ্ছা প্ৰকাশ কৰিলে—"আত অনন্তৰে কথা আসি যেন ভৈল। ভূঞা ব্ৰাহ্মণ সবে মনত গুণিল ॥ ইটো আলিপুখুৰী স্থান অতি অল্প প্ৰায়। সকলো প্ৰজাৰ সুখে ৰহিবে নাটয় ॥ এহি বুলি আলোচিয়া যত জ্ঞাতিগণ। শঙ্কৰৰ আগে আসি ভৈলা উপসন ॥ শঙ্কৰে সাদৰে সুমধুৰ বুলি বাণী। শুনা পিতামহ আদি আইলা কেনে গুণি ॥ কি কাৰ্য্য কৰিবে লাগে আদেশিও মোক। ** জয়ন্ত বদতি বাপু শুনা দেৱবৰ। তুমি মহা জ্ঞানী কাৰ্য্য জানাহা বিস্তৰ ॥ আমাৰ উপৰি চণ্ডীবৰৰ নিবাস। বৰদোৱা নাম স্থান আছয় বিশেষ ॥ ** দেশৰ বিভ্ৰাটে তনু পিতৃ কুসুম্বৰ। তাক এৰি ইঠাৱত কৰিলন্ত ঘৰ ॥ সেই কাল হন্তে বন্ধুবান্ধৱ সকল। বৃদ্ধি হৈয়া প্ৰবৰ্ত্তিতে অনাটন ভৈল ॥ এতেকে পূৰ্ব্বৰ স্থানে যাইবাক লাগয়। সেহি স্থানে থাকিবোহো একত্ৰিত হই। শুনিয়া শঙ্কৰদেৱে প্ৰশংসা কৰিলা। আমাৰেসে বাঞ্ছা সিদ্ধি কৰিতে আসিলা ॥ অৱশ্যে সিস্থানে যাবোঁ চলিও সত্বৰ। এহি বুলি আদেশক কৰিলা শঙ্কৰ ॥"

ইয়াৰ পিছত তেওঁলোকে বৰদোৱাত ঘৰবাৰী কৰি থাকিল। "পৰম আনন্দে সুখে নিবাস কৰয়। শঙ্কৰেও তথা ৰহি ৰাজ্যক চাৰ্চ্চয় ॥"

ইয়াৰ পিছত এদিন শঙ্কৰদেৱে ৰামৰাম গুৰুক কলে—" ** দেৱমন্দিৰক কৰিবাৰ মন ভৈল ।। সকলোকে জ্ঞান দিয়া আনা এতিক্ষণ। সবে মিলি মন্দিৰক কৰা নিৰূপণ ।।" এই মন্দিৰৰ ভেটি তলিৰ নৈ মাটি খান্দোতে বিষ্ণুমূৰ্ত্তি এখন ওলাল। সেই মূৰ্ত্তিকে সেই মন্দিৰত প্ৰতিষ্ঠা কৰিবৰ আয়োজন কৰা হয়। কন্দলি মিশ্ৰ প্ৰভৃতি সকলো মুখ্য ব্ৰাহ্মণক আৰু ভূঞাঁসকলক সেই মূৰ্ত্তি প্ৰতিষ্ঠালৈ নিমন্ত্ৰণ কৰা হ'ল। ৰামৰাম গুৰু পূজাৰীৰ আসনত বহিল। প্ৰতিমাৰ ওচৰতে শঙ্কৰদেৱ বহি আছে। চৰিত্ৰত লেখা আছে,—ৰামৰাম গুৰুৱে ধ্যান কৰি মন্ত্ৰ পঢ়ি যি ফুল তুলসী চন্দন পুষ্পমালা প্ৰতিমাৰ ওপৰত দিছিল, সেইবোৰ কেনেবাকৈ ততালিকে শঙ্কৰৰ মূৰত উঠিছিলগৈ। বাৰে বাৰে এনেকুৱা হোৱা দেখি সকলোৱে আচৰিত মানিলে আৰু "আশ্চৰ্য্য দেখিয়া ৰামৰাম আদি কৰি। সকলে মানিলা শঙ্কৰেসে মহা হৰি ।। কিসৰ ভাগুনা কৰি আমাক আচয়। নিশ্চয়ে জানিলোঁ আমাসাৰ গুৰু হয়।"

পূজাৰ অন্তত ৰামৰাম আদি কৰি সকলো ব্ৰাহ্মণে শঙ্কৰক কলে "ভক্তি মুক্তি দাতা তুমি বিনে নাহি আন। চৰণে সেৱিলোঁ প্ৰভু দিয়োক শৰণ ।।" বেদপন্থ আৰু প্ৰচলিত হিন্দু শাস্ত্ৰৰ অবিৰোধী মহা পণ্ডিত শাস্ত্ৰজ্ঞ শঙ্কৰে এই কথা শুনি তেওঁলোকক উত্তৰ দিলে 'আমি শূদ্ৰ, গুৰু তুমি ব্ৰাহ্মণসকল। শৰণ লৈবাক লাগি কেন মতে বল ।।' এই উত্তৰ শুনি কন্দলি আদি দ্বিজগণে শঙ্কৰক কলে 'তোমাৰ মহিমা জ্ঞাত হৈলোঁ যেন মত ।। তাক আৰে কহিবাৰ প্ৰয়োজন নাই। কৰিযোক দয়া আবে আমাক গোসাঁই ।।" এই কথা শুনি শঙ্কৰদেৱে হাঁহি নামাতি থাকিল, আৰু তেওঁলোকক শৰণ দিবৰ নিমিত্তে এখন শাস্ত্ৰ ৰচনা কৰিলে। সেই শাস্ত্ৰ ভাগৱতৰ দশম স্কন্ধৰ "গোপী উদ্ধৱ সংবাদ।" এইখনেই শঙ্কৰদেৱৰ ৰচিত প্ৰথম গ্ৰন্থ। আৰু তাৰ লগেলগেই "হৰিশ্চন্দ্ৰ উপাখ্যান পুথি" তেওঁ ৰচনা কৰিলে। "দশম স্কন্ধৰ গোপী উদ্ধৱ সংবাদ। সেই গ্ৰন্থ প্ৰথমতে ৰচিলা আহ্লাদ ।। আৰ হৰিশ্চন্দ্ৰ উপাখ্যান শাস্ত্ৰৱৰ। ভাগৱত পুৰাণৰ কৰিযা উদ্ধাৰ ।। লোকক কৃপাসে প্ৰভু তাহাঙ্ক বিস্তাৰি। ৰচিলা পয়াৰ ছন্দে আৰু সাৰ কৰি ।।" ব্ৰাহ্মণসকলক শৰণ দিবৰ নিমিত্তে তেওঁ শাস্ত্ৰ ৰচনা কৰাৰ মানে, প্ৰথমতে তেওঁ শাস্ত্ৰ স্থাপনা কৰি ব্ৰাহ্মণসকলক সেই শাস্ত্ৰৰ সমুখ কৰি তাত শৰণ লগোৱাই, এই উপায়েৰে হিন্দুৰ শ্ৰুতি স্মৃতিৰ বিধানৰ সন্মান ৰক্ষা কৰি নিজে প্ৰথমতে ব্ৰাহ্মণৰ দীক্ষা গুৰু হোৱাৰ হাত সাৰিলে। আৰু এটা কথা মন কৰিবলগীয়া যে তেওঁ মন্দিৰ সজাই তাত মূৰ্ত্তি প্ৰতিষ্ঠা কৰিছিল যদিও, কিন্তু সেই মূৰ্ত্তিৰ আগত ব্ৰাহ্মণসকলক শৰণ লগোৱা নাছিল। সেইদেখি সেই মূৰ্ত্তি প্ৰতিষ্ঠা আৰু উৎসৱৰ অভিপ্ৰায়, মূৰ্ত্তিপূজা প্ৰচাৰৰ বিপক্ষে হে যে আছিল তাক যুক্তিবলে সৰহ পলম নালাগে। তেওঁ সকলোৱে মনোৰঞ্জন কৰি দেশ কাল পাত্ৰৰ সোঁতত চলাটো দেখুৱাই স্পষ্টকৈ মূৰ্ত্তিপূজা কম লাগতিয়াল বা তাৰ অসাৰৰহে পাকে প্ৰকাৰে বুজাই দিলে মাথোন। শঙ্কৰদেৱৰ জীৱনৰ কাৰ্য্যৰ মুখ্য উদ্দেশ্য কি সেইটো তেওঁ সেইদৰে দেখুৱাই দিলে।

শঙ্কৰদেৱে তেওঁৰ পৈতৃক বিষয় ৰাজকাৰ্য্য চৰ্চ্চা কৰি ৰৰদোৱাতে জ্ঞাতি কুটুম্ব বন্ধু ইষ্ট মিত্ৰ সকলেৰে সৈতে সুখেৰে থাকিবলৈ ধৰিলে। সকলোৱেই তেওঁৰ ব্যৱহাৰত পৰম প্ৰীতি পৰম সন্তোষ। পণ্ডিত, দৈৱজ্ঞ, অতিথি, সন্ন্যাসী, দাস দাসী সকলোকে তেও সুন্দৰ সাদৰ ব্যৱহাৰেৰে সন্তুষ্ট কৰি ৰাখিছিল। দেৱতাত পূজা ভক্তি আৰু নিজৰ কৰ্ত্তব্য নিত্য নৈমিত্তিক আদি সকলো কাৰ্য্য "কিঞ্চিতেকো ন্যূন নকৰন্ত।" দুখীয়া ভিক্ষাৰী আদিক খুউৱাত, দান দক্ষিণা দিয়াত কেতিয়াও তেওঁ ত্ৰুটী নকৰিছিল।

এদিন বুঢ়াখাকে আদি কৰি ভূঞাঁ আৰু নৰোত্তম, কৰ্ণপূৰ, চতুৰ্ভুজ আদি পণ্ডিত বিপ্ৰসকলে গোটখাই আহি শঙ্কৰদেৱক কলে, যে "তোমাৰ মুখে শুনিছো যে মানুহে হৰিক স্মৰণ কৰি বৈকুণ্ঠলৈ যায। সেই বৈকুণ্ঠ কেনে স্থান, অনুগ্ৰহ কৰি তুমি আমাক দেখুৱা। তুমি মহা পণ্ডিত, মহাজ্ঞানী আমাৰ বাঞ্ছা পূৰণ কৰাঁ।'

শঙ্কৰদেৱে এই কথা শুনি ভাবি চিন্তি চিহ্নযাত্ৰা নামে ভাৱনা কৰিবৰ উদ্যোগ কৰিলে। "তাল খোল বাদ্য সকলক তথা, কৰিবাক মন ভৈলা। ততিক্ষণে কাষ্ঠ ডাল আনিলেক, চানেকি কৰিয়া দিলা ।। কপিলী নদীৰ, কাষত নিবাসী কুমাৰক দিয়া নিল। শঙ্কৰৰ আজ্ঞা শুনিয়া কুমাৰে যতনে খোল গঢ়িল ।।" সেই খোলত কেনেকৈ ঘুন দি মাত উলিয়াব লাগে সেইটোও শঙ্কৰদেৱে দেখুৱাই দিলে। আজিকালিৰ "থিয়েটাৰৰ চিন" অৰ্থাৎ দৃশ্যপটৰ নিচিনাকৈ পটত বৈকুণ্ঠ নগৰৰ দৃশ্য শঙ্কৰদেৱে নিজ হাতে আঁকিলে আৰু চিহ্নযাত্ৰা ভাৱনাৰ এখন নাট ৰচনা কৰিলে। এইখনেই শঙ্কৰদেৱৰ ৰচিত প্ৰথম নাট। সেই নাটত ধেমালিৰ খোৱা প্ৰথমতে লিখিলে, দ্বিতীয়তে শ্লোক ৰচিলে, তাৰ পিছত সূত্ৰভঙ্গা আৰু গীত ৰচনা কৰি লেখিলে। পটখনত "যাৰ যেন স্থান, যিমত লক্ষণ, কল্পতৰু উপবন। সৰোবৰচয়, অধিকে শোভয়, স্বৰ্ণঘাট সুশোভন ।। লক্ষ্মী, সৰস্বতী, চৌদ্ধ পাৰিষদ, পটতে সবাকে দিলা। সাত বৈকুণ্ঠৰ সপ্তম গোপাল, সবাকো তাতে লিখিলা ।।"

এইবিলাক শঙ্কৰদেৱে কৰি, "কেটাইক বানক বায়ন শৈখাইল" আৰু "নাতুৰা পঞ্চম সমগ্ৰিতে আতি নাটক কৰি সম্পূৰ্ণ" যাত্ৰাৰ সকলোকে আয়োজন কৰিলে।

শঙ্কৰে চিহ্নযাত্ৰাৰ পটখন আঁকি থাকোঁতেই এটি ক্ষুদ্ৰ ঘটনা ঘটিছিল। পটখন প্ৰায় অঁকা শেষ হৈছিল, এনেতে শঙ্কৰৰ গৃহৰ দাসী চন্দৰী বুঢ়ী আহি তাতে ওলালহি। চন্দৰী বুঢ়ীও কম নহয়, বুঢ়ীয়ে ক'লে "ডেকাগিৰী, দেখো পটত বৈকুণ্ঠৰ বট বৰক্ষুপি নাই?' এই কথা শুনি শঙ্কৰদেৱে অলপ ঠেঁটামোজা খাই ক'লে, যে "বৰগছ জোপা ক'ত দিম ঠাই বিচাৰি নাই পোৱা।" এই কথা শুনি চন্দৰীয়ে হাঁহি এষাৰ কথা শুনাই দি, "এই খিনিতে দিয়া," বুলি কৈ দিলত, কল্পতৰু বৰগছ জোপা সেই খিনিতে তেওঁ আঁকি দিলে। এই কথাৰ ভকতীয়া ব্যাখ্যা এৰিলেও, ইয়াৰ দ্বাৰাই বেছকৈ বুজিব পাৰি, শঙ্কৰ কেনে পৰিবাৰৰ ফল। কেনে environment অৰ্থাৎ পৰিবেষ্টনত শঙ্কৰদেৱ উঠিছিল। সেই পৰিবাৰৰ দাসীজনীও কেনে intelligent অৰ্থাৎ বুদ্ধিমতী আৰু শিক্ষিতা চোৱাঁ। এই বাবেহে কথাতে কয়, 'ভগা হক, ছিগা হক, ভঞাৰ পোৱালি। ফটা হক, চিটা হক, পাটৰ টঙালি॥' আৰু কয় "গায়নৰ ঘৰৰ বোন্দাইও বাগ দিয়ে।"

নাট লিখি, পট আঁকি, ভাৱৰীয়াক ভাও শিকাই, মুখা সাজি, সভাঘৰত শঙ্কৰদেৱে ভাৱনা আৰম্ভ কৰি দিলে। "চাৰি গোটা আৰিয়া, মটা নৱ গোট। মহা সমাৰোহে নিয়া লগাইলা সভাত॥ গায়ন বায়ন ৰৰ ধেমালি জুৰিলা। ৰৰ গায়নৰ বেশে শঙ্কৰ উঠিলা॥ উদাৰ সহিতে ৰৰ গোবিন্দ উঠিল। আনো ভকতগণে পাছে গীত গাইতে লৈল॥ প্ৰথমে শঙ্কৰদেৱে ৰাগ তুলিলেক। উদাৰ প্ৰভৃতি ভকতে দোহাৰে প্ৰত্যেক॥ তিনিৰ ৰাগক পাছে বলায়ে জুৰিলা। বায়ুমণ্ডল ৰাগ শঙ্কৰেও দিলা॥'

শঙ্কৰে নাট-ধেমালি, ৰৰ-ধেমালি বজালে, ৰৰ বায়ন হৈ ন-টা খোল লৈ একে লগে বজালে। সত্ৰধাৰ হৈ শঙ্কৰে নানা ভাৱ ভঙ্গীৰে নৃত্য কৰি ভাৱনাৰ সূত্ৰ মাতিলে। মুঠতে ভাৱনাৰ গোটেই অংশতে সকলো ঘাই কামতে শঙ্কৰ।

যাত্ৰাৰ অন্তত শঙ্কৰে শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিৰ ওচৰলৈ গৈ তেওঁক সেৱা কৰিব খোজোঁতেই কন্দলিয়ে বাধা দিলে—"প্ৰণামিবে চাহে গুৰু কন্দলি দেখিয়া। কি কৰাহা বুলি তাঙ্ক ধৰি আলিঙ্গিয়া॥ তোমাকেসে নমস্কাৰ কৰিবে লাগয়। তুমিসি ঈশ্বৰ মই জানোহো নিশ্চয়॥" এই বুলি ক'লত শঙ্কৰ উলটি প'ল। ভাৱনা চাবলৈ অহা প্ৰায় দহ হেজাৰমান প্ৰজাই ইয়াৰ পিছত হৰিধ্বনি কৰিবলৈ ধৰিলে। এনেতে "মহেন্দ্ৰ কন্দলি দণ্ডৱত কৰিলন্ত। কৰযোৰ কৰি সমজ্যাক বুলিলন্ত॥ শুনা সভাসদ বোলোঁ নিশ্চয় বচন। শঙ্কৰদেৱত মই পশিলোঁ শৰণ॥ শুনিয়োক সৰ্ব্বজন কহিবোঁ বুজাই। শঙ্কৰৰ মহিমাক কহন নাযায়॥ পাঠশালা মধ্যে একদিন শুতিলন্ত। অনন্তে আসিয়া তৈতে ছত্ৰ ধৰিলন্ত॥ দেখিলা আমাক সিটো সৰ্প আন্তৰিলা। চকমক কৰি পাছে শঙ্কৰ বসিলা॥ শুনা কৰ্ণপূৰ চতুৰ্ভুজ দুয়োজন। নৰোত্তম বৃদ্ধ তুমি পণ্ডিত গহন॥ উৰ্দ্ধবাহু কৰি মই কৰোঁ অঙ্গীকাৰ। শঙ্কৰত পৰ গুৰু নাহিক আমাৰ॥ শূদ্ৰ বুলি যিটো পাপী কৰে তিৰস্কাৰ। তাহাৰ ব্ৰাহ্মণ জন্ম আছোক ধিক্কাৰ॥' এই বুলি মহেন্দ্ৰ কন্দলিয়ে ক'লত ৰাম ৰাম আদি কৰি সকলো শ্ৰেষ্ঠ দ্বিজে শঙ্কৰদেৱৰ আগত নম্ৰভাৱে ক'লে— 'পাছে শঙ্কৰক তাৰা সৱে বুলিলন্ত। সাক্ষাতে জানিলোঁ আমি তুমি ভগৱন্ত॥ আমাসাক শৰণ দিয়োক তুমি গুৰু। উদ্ধাৰ কৰিয়ো ভকতৰ কল্পতৰু॥' এই কথা শুনি হিন্দুশাস্ত্ৰ উলঙ্ঘা নকৰা শঙ্কৰে ক'লে— "শঙ্কৰে বোলন্ত ইটো কাৰ্য্য নুহি ভাল। ব্ৰাহ্মণ শূদ্ৰক সেৱা কৰৈ কোন কাল॥ ব্ৰাহ্মণ শূদ্ৰৰ গুৰু বেদত প্ৰসিদ্ধ। আমাত শৰণ হৈবে নুহি যুক্তি সিদ্ধ॥" শঙ্কৰৰ উত্তৰ শুনি ব্ৰাহ্মণসকলে কলে "বদতি ব্ৰাহ্মণ সবে শুনিয়ো বচন। কাৰ্য্যতে লখিলোঁ আমি তুমি নাৰায়ণ॥ বৈশ্য নন্দ, ৰাজন্য জাতিত বসুদেৱ। তাহাৰাৰ পুত্ৰ ৰূপে ভৈলা কৃষ্ণদেৱ॥ দেৱ ব্ৰহ্ম ঋষি কিবা তাঙ্ক নেসেৱিলা। যাৰ গুণ নামে লোক সংসাৰ তৰিলা॥ আমাক তাৰিবে চাৰা তুমি দেৱৰৰ। তোমাত শৰণ আমি কৰিলোহো সাৰ॥" ব্ৰাহ্মণসকল উপস্থিত হ'লহি। শঙ্কৰদেৱে দশমৰ "গোপী-উদ্ধৱ সংবাদ" শাস্ত্ৰখনি সৰ্ব্বজয় ভকতৰ হতুৱাই অনাই থাপন কৰি সেই পুস্তক লৈ ব্ৰাহ্মণসকলক দণ্ডৱত কৰাই শৰণ লগালে। "পুস্তকক লাগি দণ্ডৱত কৰাইলা। যুক্তি অনুসাৰে তাঙ্ক শৰণ কৰাইলা।" সেই ব্ৰাহ্মণসকলৰ ভিতৰৰ প্ৰধান জনদিয়েকৰ নাম—"কবিৰত্ন, বিদ্যাৰত্ন, ৰামসৰস্বতী। আইলা বিপ্ৰগণ সেৱা কৰিবাক প্ৰতি॥ ৰামৰাম গুৰু, চতুৰ্ভুজ দুয়োজন। শঙ্কৰৰ পাশে চলি গৈলা ততক্ষণ॥ বোলে দুয়োজনে পাছে দেৱ শঙ্কৰক। শৰণ কৰায়ো আগে প্ৰভু আমাসাক॥" শঙ্কৰে ৰামৰামৰ কথা শুনি তেওঁক ক'লে—"শঙ্কৰে বোলন্ত ইটো কথা নুহি ভাল। তুমি পুৰোহিত আমাৰ সৰ্ব্বকাল॥" কিন্তু ৰামৰামে নেৰানেপেৰাকৈ ধৰাত শঙ্কৰদেৱে তেওঁক ওপৰত কৈ অহা প্ৰথা মতে শৰণ লগালে। ইয়াৰ পিছত শঙ্কৰদেৱৰ ওচৰত "ভুঞা ব্ৰাহ্মণ আনো নানা লোকচয়। শৰণ লভিয়া সবে ভৈল জ্ঞানোদয়।"—দৈত্যাৰি।

এদিন শঙ্কৰৰ ল'ৰাকালৰ অধ্যাপক মহেন্দ্ৰ কন্দলিয়ে শঙ্কৰক কলেছি যে সাতোটা হাতীয়ে তেওঁলোকৰ পথাৰৰ ধান খাই উপাস্ত কৰিলে ; ইমান দুৰ্দান্ত যে যাঠী, জোং, জুই একোলৈকে ভয় নকৰে। শঙ্কৰদেৱে এই কথা শুনি নিজে গৈ হাতী কেইটা খেদাই পেলাই বিধিনি দূৰ কৰিলত বাইজ আচৰিত আৰু আনন্দিত হ'ল। ইয়াৰ কিছু দিনৰ পিচত ধানৰ পথাৰৰপৰা সেইদৰে শঙ্কৰদেৱে দুটা ম'হ দূৰ কৰিলে।

ইয়াৰ পিচত মহেন্দ্ৰ কন্দলিয়ে স্বপুত ঐশ্বৰিক বাণী শুনি শঙ্কৰৰ ওচৰলৈ আহি তেওঁক প্ৰাৰ্থনা কৰি শৰণ ল'লে। "চেতন লভিয়া গুৰু বাৰম্বাৰ স্মৰি। শুচি হৈয়া শঙ্কৰৰ ঠাইক গৈলা লৰি ॥ স্বপুৰ বাতৰা কহি প্ৰণাম কৰিয়া। শৰণ ভৈগল গুৰু আনন্দিত হইয়া ॥"—দৈত্যাৰি।

এদিন শঙ্কৰে ভূঞা আৰু বিপ্ৰসকলক ক'লে যে আহাঁ আমি ফল্গুৎসৱ কৰোহঁক। শঙ্কৰৰ আজ্ঞা পাই এটা দৌল সাজি ফল্গুৎসৱ আৰম্ভ কৰা হ'ল। ৰামৰাম গুৰু পূজাৰী। শঙ্কৰদেৱ প্ৰতিমাৰ ওচৰতে উপবিষ্ট। চৰিত্ৰত আছে, ৰামৰামে মন্ত্ৰ মাতি যতবাৰ ফাকুৰ মুঠি প্ৰতিমাৰ গাত দিছিল, ততবাৰ সেই ফাকু প্ৰতিমাৰ গাত নপৰি শঙ্কৰৰ গাত পৰিছিল। সকলোৱে এনে দেখি আচৰিত মানি শঙ্কৰক ভক্তিভাৱে প্ৰণাম কৰিবলৈ ধৰিলে।

ইয়াৰ পিছত এদিন শঙ্কৰে জয়ন্তা আৰু মাধৱ দুইজন পিতামহক ক'লে—"শুনিয়োঁ জয়ন্তা আৰু মাধৱ আতাই। অনিত্য সংসাৰ আত কিছু স্থিৰ নাই ॥ শাস্ত্ৰক কৰিবোঁ মই ধৰ্ম প্ৰকাশিবোঁ। ৰাজ্যৰ চৰ্চ্চনা ভাৰ কেন মতে লৈবোঁ ॥ জানিয়া সিসৱ তোমাসাত সমৰ্পিলোঁ। পৰকাল চেষ্টা কাৰ্য্য কৰিবাক লৈলোঁ ॥" শঙ্কৰৰ এই কথা শুনি পিতামহ দুইজনে আলচ কৰি থিৰ কৰিলে, যে শঙ্কৰক বিয়া কৰোৱাই দিব লাগিব। বিয়া কৰোৱাই দিলেই তেওঁৰ এই সংসাৰত বিৰক্তিৰ ভাৱটো যাব। "শুনি পিতামহ দুই আলচ কৈলন্ত। শঙ্কৰৰ দেখা কেন বিৰক্তি ভৈলন্ত ॥ যৌৱন কালত নতু বিবাহ কৰয়। তথাপি বিষয় চৰ্চ্চা এৰিবাক চায়। অৱ্য আসি উপস্থিত ভৈল যুবাকাল। এতেকে কৰাইবোঁ বিহা বৈত কন্যা ভাল ॥" ইয়াকে দুয়ো আলচ কৰি বুঢ়াখাঁকে আদি কৰি বুঢ়াসকলেৰে সৈতে বিচাৰি চৰিখা বৰ-ভূঞাৰ ৰূপ গুণে অনিন্দিতা কন্যা সূৰ্য্যাৱতীক ১৩৯২ শকত শঙ্কৰলৈ বিয়া কৰালে।

এইদৰে গৃহস্থী হৈ শঙ্কৰ কিছুকাল আছে ; এদিন ভূঞা আৰু ব্ৰাহ্মণসকলে শঙ্কৰদেৱক কলেছি যে টেম্পৰাণি জানৰ পানী আহি তেওঁলোকৰ শস্য মাৰি পেলাই বৰ হানি কৰে, এতেকে তাৰ এটা দিহা কৰিব লাগে। শঙ্কৰে এই কথা শুনি তেওঁলোকক ক'লে যে, "কোৰ পাচি চাঙি লৈ বলাহঁক, আমি জানটো বান্ধি পেলাওঁ।" চৰিত্ৰত এই জান বন্ধা সম্পৰ্কে এটা অলৌকিক কথাৰ বৰ্ণনা আছে। শঙ্কৰৰ পৰামৰ্শ শুনি সকলো আহি খুটা, চটি, গোঁজ পুতি, বটা, চৰা বক্ৰাই মাটি খান্দি আনি তাত পেলাই জান বান্ধিবলৈ লাগিল, কিন্তু সকলো ভাগৰি গ'ল, তথাপি কোনো প্ৰকাৰে জান বন্ধা নহ'ল। জানৰ সোঁতে সেইবোৰ উটাই লৈ গুচি গ'ল। এই কথা তেওঁলোকে শঙ্কৰক জনালত, শঙ্কৰে ক'লে—'শঙ্কৰ বদতি শুনিয়োক বাইজচয়। কিবা কাৰ্য্যে লোকে চিন্তা কৰা অতিশয় ॥ সাধিবোঁ ইসব কাৰ্য্য শুনা ভূঞাগণ। দেশত বিচাৰি শাস্তি আনা একজন ॥ শুনা বয় কন্দলি যত্ন পাঠক ব্ৰাহ্মণ। চন্দ্ৰ সৰস্বতী মিশ্ৰ কেশৱী প্ৰবীণ ॥ কবিৰাজ কন্দলি অনন্ত বিজ্ঞৱৰ। আনো আনো আছা পণ্ডিত সাৰতৰ ॥" "তোমালোকে এজনী শাস্তি তিৰোতা বিচাৰি আনা, সেই শাস্তিয়ে পল এটাত এপলকৈ পানী ভৰাই আনি জানত ঢালি দিলেই জানৰ পানী বন্ধ হ'ব।" এই কথা শুনি বিপ্ৰ ভূঞা সকলোৱে বিস্ময় মানিলে। কিন্তু শঙ্কৰৰ কথা উৰাই দিবও নোৱাৰি, সেইদেখি তেওঁলোকে নিজ নিজ ঘৰলৈ গৈ গৃহিণীসকলক সুধিলে যে তেওঁলোক শাস্তি নে? ব্ৰাহ্মণীসকলে গৰ্ব্ব কৰি ক'লে "আমি ভট্টাচাৰ্য্য পণ্ডিতৰ ঘৈণীয়েক, আমি শাস্তি নহম নো কোনজনী হ'ব?" কিন্তু যেতিয়া পলৰে এপলকৈ পানী অনাৰ কথা তেওঁলোকে শুনিলে তেতিয়া তেওঁলোক কোঁচ খাই গ'ল।

বামুণ আৰু ভূঞাসকলে এনেকুৱা শাস্তি বিচাৰি নাপাই শঙ্কৰদেৱক ক'লত শঙ্কৰদেৱ মৌন হৈ ৰ'ল। এনেতে নদীয়াল ভাৰ্য্যাস্বামী এহালে টেম্পৰাণি জানেদি ভটীয়াই যাওঁতে পাৰত অনেক লোকৰ সভা এখন দেখিলে। নদীয়ালনীয়ে গিৰিয়েকক সুধিলে "সেইখন কি সবাহ, কিহৰ মেল হৈছে?" নদীয়ালে উত্তৰ দিলে "শঙ্কৰদেৱে জানটো বন্ধাবলৈ বুলি এজনী শাস্তি বিচৰাইছে, কতো বিচাৰি নাই

* ইষ্টগণ সঙ্গে, এক নাম মন্ত্ৰে, মনত যহা উপজাহে। ৰূপে বিতোপনী কন্যা একখানি কৰিল তেহোঁ বিবাহ ॥ গৃহাশ্ৰমে থাকি ধৰ্ম আচৰন্ত শাস্ত্ৰক যেন বিহিত। স্নান তৰ্পণ সন্ধ্যা বন্দন আচৰন্ত কৰ্ম নিত ॥ দুখী দৰিদ্ৰক, প্ৰাৰ্থক জনক অন্ন বস্ত্ৰ দেন্ত মাতি। ইষ্ট বান্ধৱক, জ্ঞাতি মিত্ৰক পোষন্ত আতি ॥ বাণী দান যত সবাকে সন্তত মাতন্ত মধুৰ বাণী। যেন আমিকেৰ জানাৰ বাক্যত দুখ পাৱে কোনো প্ৰাণী ॥ মান যোগ্য যত সবাকে মান্ত, যাক যথোচিতভাৱে। সদয় হৃদয় যেন জনমৰ কৃপালু স্বভাৱে ॥ —দৈত্যাৰি।

পোৱা। তাৰ নিমিত্তেই সেইখন সবাহ হৈছে।” নদীয়ালনীয়ে ক’লে, “মইয়েই শাস্তি।” “আমি বাজিবাক পাৰো আনক এখনি॥” এই কথা শুনি নদীয়ালে ঘৈণীয়েকক ডবিয়াই ক’লে—“পৰম নিৰ্ব্বোধ তই ভুমুনী অজ্ঞান॥ শৌচ সদাচাৰ তোৰ কিছু নাহিকয়। কেন জনে শাস্তি বুলি মোক বখানয়॥” নদীয়াল নদীয়ালনীয়ে এইদৰে দন্দ কৰি থাওঁতে, পাৰৰ মানুহে সিহঁতৰ দন্দ শুনি শঙ্কৰদেৱক সেই কথা জনালত, শঙ্কৰদেৱে সিহঁতক মাতি আনিবলৈ মানুহ পঠিয়ালে। নদীয়াল তো ভয়ত অস্থিৰ। দুয়ো আহি দূৰৈৰপৰা শঙ্কৰদেৱক সেৱা কৰিলে। নদীয়ালনীৰ নাম ৰাধিকা। শঙ্কৰদেৱে ৰাধিকাক সুধিলে “কেন মতে শাস্তি তুমি কহিয়ো নজাই।” তাই উত্তৰ দিলে, “যেনেকৈ মন যায় মোক পৰীক্ষা কৰক।” শঙ্কৰে ক’লে “তুমি তেনেহলে আজি গৈ ব্ৰতে উপবাসে থাকাগৈ। কাইলৈ আহি এপল পানী আনি এই জানত দিবা।” তাই সেইদিনা ঘৰলৈ গৈ ব্ৰতে উপবাসে থাকি পিছদিনা আহি সভাৰ মাজত ওলালত, শঙ্কৰদেৱে সকলোৰে আগত থকা এটা পল দেখুৱাই তাৰে এপল পানী আনিবলৈ তাইক ক’লে। তাই ব্ৰহ্মপুত্ৰত পলটো ভৰাই তাৰে পানী আনি সভাত প্ৰৱেশ কৰিলে; সকলোৰে দেখি অবাক। শঙ্কৰে দেখিলে পলটোত চাৰিআঙুল পানী কম। তেওঁ ৰাধিকাক সুধিলে যে তাই কি পাপ কৰিছিল যাৰ নিমিত্তে সেই চাৰি আঙুল পানী কম হ’ল? ৰাধিকাই “নমস্কাৰে বোলে শাস্তি শুনিয়োক বাপ। কৰিবা আছোঁহো এক অজ্ঞানত পাপ॥ এক দিনা মোৰ গৃহে স্বামী নাহিকয়। বহিনী জামাতা আসি মিলিল তথায়॥ ৰান্ধিলোঁহো ভাত পাত কাটি দেন্তা নাই। কাচিখন আনি পেলাই দিলন্তে তথাই॥ দৈৱবশে আমাৰ কাপোৰ খসি গৈল। জামাতায়ো সওঁচক্ষে আমাক দেখিল॥ আমাৰো পৰিল দৃষ্টি তাহান মুখত। এহি পাপগুটি মোত ভৈল উপগত॥” এই কথা শুনি শঙ্কৰদেৱে ক’লে “বাক্ তাত বৰ দোষ হোৱা নাই; মই ক্ষমা কৰিলো; তুমি আকৌ পানী আনাগৈ।” এইবাৰ তাই পানী আনিলত পলটো পূৰ হৈ পানী আহিল। এই কাৰ্য্য দেখি সকলোৱে বিস্ময় মানিলে। শঙ্কৰদেৱে তেওঁলোকক ক’লে “অন্ত্যজাতি দেখা কেন শাস্তি বিপৰীত। ভক্তি নভৈলেসে তেজ হৰয় কলিত॥ এতেকেসে বোলোঁ শুনা ব্ৰাহ্মণ সকল। ভক্তি বিনে তপ জপ সকলো বিফল॥” ৰাধিকাক শঙ্কৰে ক’লে “শঙ্কৰ বদতি শুনা পৰমা সুন্দৰী। এগোটা পলত নিয়া মৃত্তিকাক ভৰি॥ উভয় পলক নিয়া জানত দিয়োক। তাৰ দানে সিটো জান জল বন্ধ হোক॥ শুনিয়া ৰাধিকা জল আৰু মাটি দিলা। পৰিল মাত্ৰকে পাছে জল বন্ধ ভৈলা॥” —ৰামচৰণ।

১৩৯৬ শকত শঙ্কৰৰ ভাৰ্য্যা সূৰ্য্যাৱতীৰ গৰ্ভত মনু নামে এটি কন্যা জন্ম হয়। মনু ন-মহীয়া হ’লত সূৰ্য্যাৱতীৰ ঘৰত মৃত্যু হয়। তেতিয়া সূৰ্য্যাৱতীৰ বয়স পঁচিশ বছৰ। সূৰ্য্যাৱতীৰ মৃত্যুৰ আগৰেপৰা শঙ্কৰদেৱে তীৰ্থলৈ যাবলৈ ইচ্ছা কৰিছিল। এতিয়া তেওঁ সেই কাৰ্য্য কৰিবলৈ সুচল পালে।

সূৰ্য্যাৱতীৰ অন্ত্যেষ্টি কাৰ্য্য শ্ৰাদ্ধাদি কৰি শঙ্কৰদেৱ বৰদোৱাতে কিছুদিন আছিল।

খৰালি পানী শুকাই যোৱাত পানীৰ কষ্ট হ’ল। শঙ্কৰদেৱক ভক্তসকলে সেই কথা জনালে। শঙ্কৰদেৱে পানীৰ কষ্ট দূৰ কৰিবৰ নিমিত্তে “বটদ্ৰৱা গঙ্গা” কেনেকৈ আনিলে, সেই অলৌকিক কথাৰ বিষয়ে চৰিত্ৰত এইদৰে লেখিছে—“উত্তৰ প্ৰদেশে আছে বট বৃক্ষ গোটি। লাসে লাসে পাৰ গতি চলিলা সহিতে॥ উপৰক চায়া পদ আঙ্গুলিৰ আগে। আজি জল আবাহন কৰি মহাভাগে। হাতৰ লাখুটি ধৰি ধেয়্যাকাৰ কৰি। বটৰ উত্তৰ প্ৰান্তে আইলা আঞ্চ মাৰি॥ নাম প্ৰসঙ্গক কৰি ভক্তগণ সঙ্গে। শয়ন কৰিলা গুৰু মহা মন ৰঙ্গে॥ মধ্য ৰাত্ৰি গুৰুজন গৈলা তৈক লাগি। তাহান ইচ্ছায়ে গঙ্গা আইলন্ত ভাগি॥ মহা ভয়ানক শব্দ ভৈল অতিশয়। সবে বোলে কিবা আজি প্ৰলয় মিলয়॥ টল-বল কৰি বট উপৰে পৰিল। মহা চোটে বট গোটি অভ্যন্তৰ ভৈল॥ সৰ্ব্বজয় বলৰাম লগত আছিলা। গঙ্গা আগমন বেগ দুইহানো দেখিলা॥ তাৰাজনে বোলে ইটো কিবা বৰ কাজ। সাত বৈকুণ্ঠকো দেখিলন্ত সবে ৰাজ॥ শঙ্কৰে বোলন্ত আৰু কাতো নকহিবা। ভক্তৰ বাঞ্ছায়ে সৰ্ব্ব সিদ্ধিক জানিবা॥ এহি বুলি গুৰু আসি শয়ন কৰিলা। শব্দ শুনি বুঢ়া খাঁ আৰবজন আইলা॥ কিবা ভৈল বুলিয়া আৰবজন আসি। সোধন্তে কহিলা গুৰু বদন প্ৰকাশি॥ কোন ভয় নাহি তোৰা চলিয়োক ঘৰ। প্ৰভাতে দেখিবা যেন কৰিলা ঈশ্বৰ॥” ৰাতিপুৱা সকলোৱে বৰ গছজোপা থকা ঠাইত “আকাশী গঙ্গা” দেখি আচৰিত মানিলে।

ইয়াৰ কিছুকালৰ পিছত শঙ্কৰে ৰামচন্দ্ৰ কায়স্থৰ পুত্ৰ হৰিলৈ মনুক বিয়া দিলে। জোঁৱায়েকক “শঙ্কৰে বোলন্ত বাপু শুনিয়ো জনাই। একগুটী জীউ মোৰ পুত্ৰ আৰ নাই। তুমি সে আমাৰ পুত্ৰ থাকা এই ঘৰ। যতেক সৰ্ব্বস্ব আছে সকলো তোমাৰ॥ শঙ্কৰৰ আজ্ঞা মানি তথাত থাকিলা। ধৰ্ম্ম প্ৰকাশিয়া দেৱ শঙ্কৰ বহিলা॥ ভূঞা ব্ৰাহ্মণগণ আসি প্ৰতিদিন। শঙ্কৰৰ পাশে কৰে হৰিৰ কীৰ্ত্তন॥

চতুৰ্দ্দশ অধ্যায়

তীৰ্থ-ভ্ৰমণ

ইয়াৰ পিছত শঙ্কৰদেৱে জোৰ যেকৰ হাতত তেওঁৰ ঘৰবাৰী যথাসৰ্ব্বস্ব সমৰ্পণ কৰি পিতৃ মাতৃ আৰু ভাৰ্য্যাৰ অস্থি লৈ তীৰ্থ যাত্ৰা কৰিলে। তীৰ্থলৈ যাবলৈ ওলাই শঙ্কৰদেৱে তেওঁৰ অধ্যাপক মহেন্দ্ৰ কন্দলিক মতাই আনি তেওঁৰ বিদায় মাগিলত, মহেন্দ্ৰ কন্দলিয়ে কাকুতি কৰি তেওঁকো লগত নিবলৈ খাটিলে। শঙ্কৰদেৱে কন্দলিৰ প্ৰাৰ্থনা মতে কন্দলিকো লগত ল'লে। শঙ্কৰদেৱৰ লগত ১৭ জন যাত্ৰী গৈছিল। তাৰ ভিতৰত, তলত নাম দিয়াসকল আছিল।— ৰামৰাম, নৰোত্তম, কন্দলি, সৰ্ব্বজয়, বলৰাম, হৃষিকেশ পৰমানন্দ, দামোদৰ, শ্ৰীৰাম, মহেন্দ্ৰ কন্দলি। শঙ্কৰদেৱে বুঢ়ীমাক খেৰসুতীৰ ভৰিত পৰি সেৱা কৰি, ভাবেক বনগয়াঁ গিৰীক আকোঁৱালি ধৰি আশ্বাস কৰি তেওঁক বুঢ়ী মাকৰ হাতত সমৰ্পণ কৰি আৰু আন সকলোকে যথাযোগ্য সন্মান সৎকাৰ আদৰ সম্ভাষণ কৰি সকলোৰে ওচৰত বিদায় লৈ, নাৱত উঠি ভটীয়াই গ'ল। সাত দিন ভটিয়াই গৈ তেওঁ নাও এৰি "প্ৰথম প্ৰবাসে বহিনন্ত ঘৰ সাজি।' পৰমানন্দই শঙ্কৰদেৱলৈ খোৱা বস্তু আনিবলৈ বুলি গৈ এজনী বুঢ়ী পোহাৰীৰ ওচৰ পালত, বুঢ়ীয়ে টকা-কড়ি নলৈ, এনেয়ে বস্তু লৈ আহি শঙ্কৰদেৱক ঈশ্বৰ বুদ্ধি কৰি দি সেৱা কৰিলে। এইদৰে শঙ্কৰদেৱে অনুক্ৰমে গৈ গৈ গঙ্গা পাই গঙ্গাত বিধিমতে স্নান দান কৰি, তাৰ পিছত লাহে লাহে গৈ পুৰুষোত্তম ক্ষেত্ৰ পালেগৈ। শঙ্কৰ আঠাৰনলা-চৌকি পালত পাণ্ডাসকলে আহি তেওঁক জগন্নাথ মহাপ্ৰভুৰ প্ৰসাদ দিলে। তাৰ পিছত তেওঁ দাৰুব্ৰহ্ম জগন্নাথ মূৰ্ত্তি দৰ্শন কৰি, পঞ্চতীৰ্থ ভ্ৰমি সকলো কৰ্ত্তব্য কাৰ্য্য সমাধা কৰিলে। পুৰীত তেওঁ ব্ৰহ্মপুৰাণৰ আখ্যান মতে ক্ষেত্ৰৰ মাহাত্ম্য ব্যাখ্যা কৰি আৰু আন আন শাস্ত্ৰ বিষয়ত নিজৰ পাণ্ডিত্য প্ৰকাশ কৰি পাণ্ডা-সকলৰ শ্ৰদ্ধা ভক্তি আকৰ্ষণ কৰিছিল। জগন্নাথত তেওঁ তিনি দিন থাকি আন আন তীৰ্থ দৰ্শন কৰিবলৈ পশ্চিমৰ ফালে যাবলৈ ওলাল। তেওঁ মহেন্দ্ৰ কন্দলি আদি যাত্ৰীসকলক ক'লে "তোমৰা সকল আবে গৃহে চলিয়োক। সৰ্ব্বজয় পৰ্ম্মানন্দ মোৰ লগে ৰৌক ॥ আৰু বলৰাম এহি তিনি সঙ্গে। যাইবাক লাগয় আবে গৃহে যাওক ৰঙ্গে ॥ কন্দলিক প্ৰণামিয়া বুলিলা বিস্তৰ। ৰামৰাম সমে তুমি চলিয়োক ঘৰ ॥" কিন্তু কন্দলি আৰু ৰামৰাম প্ৰভৃতিয়ে শঙ্কৰক এৰি ঘৰলৈ উভতি আহিব নোখোজাত, শঙ্কৰদেৱে নানা প্ৰকাৰে বুজাই তেওঁলোকক ওভোতাই পঠিয়াই দিলে ; কিন্তু বলৰাম গুৰুৱে শঙ্কৰৰ লগ কোনো মতেই এৰিবলে দেখি তেওঁকো শঙ্কৰদেৱে লগত ল'লে।

"গয়া কাশী প্ৰয়াগ আদি কৰি। শঙ্কৰো চলিলা তীৰ্থ কাৰ্য্যক আচৰি ॥" বাৰাণসী, প্ৰয়াগ, সীতাকুণ্ড, বৰাহকুণ্ড, উত্তৰ-বাহিনী আৰু অযোধ্যা আদি শঙ্কৰদেৱে দৰ্শন কৰে। "তৈৰ হন্তে ৰূপ সনাতন বৈত আছে। তাহান ঘৰৰ ওচৰক পাইলা পাছে ॥ শুনি দুইজনে আসিলেক লৰালৰি। ভক্তিভাৱে আসি প্ৰণামিলা পাৱে পৰি ॥ মোৰ দেৱ দেৱ প্ৰভু বুলি দুইজন। পুনু পুনু প্ৰণামিলা দুখানি চৰণ। দেখিয়া শঙ্কৰদেৱ আলিঙ্গি ধৰিলা। তোৰা দুই ভাই আৱে কিসক আসিলা ॥ হাতত মন্দিৰা দেখোঁ কি ধৰ্ম্ম আচৰা। শুনি ৰূপে বোলে তুমি জগতৰে বৰা ॥ তোমাৰ আদেশে আমি ভ্ৰমি নানা স্থান। নাম ধৰ্ম্ম প্ৰকাশিয়া ফুৰোঁ যত মান ॥ হে জগতৰ গুৰু ঈশ্বৰ মুৰাৰি। তোমাৰ মহিমা কিবা কহিবাক পাৰি ॥ জানি কৃপাময় কৃপা কৰিয়ো এখন। তোমাৰ চৰণ যেন নচাৰয় মন ॥ নিজ জন বুলি প্ৰভু কৰিয়ো উদ্ধাৰ। ৰাম হৰি কৃষ্ণ নাম হৌৰ মুখে সাৰ ॥' এই কথা শুনি শঙ্কৰদেৱে তেওঁলোকৰ কোন আছে বুলি সুধিলত, ৰূপে উত্তৰ দিলে 'তোমাৰ চৰণ বিনে আন কেহোঁ নাই।' এই কথা শুনি শঙ্কৰদেৱে তেওঁলোকৰ ঘৰতে থাকিল। ৰাতিপুৱা তেওঁ তাৰপৰা গ'লত ৰূপ সনাতনো শঙ্কৰদেৱৰ লগতে গ'ল। তেনে হোৱা দেখি "ৰূপ ভাৰ্য্যা আই, সকাতৰ হই, কৰন্ত কাতৰ" লগত যাবৰ নিমিত্তে। তেওঁৰ কাতৰ বাণী শুনি শঙ্কৰদেৱে ক'লে 'শুনিয়োক ৰূপ, পতিব্ৰত নাৰী, তীৰ্থত সঙ্গত লাগে লৈযোক, নাছাড়িয়ো আৰু, নড়িয়ো আগক আগে ॥ আজ্ঞা পাইয়া ৰূপ, আপোন ভাৰ্য্যাক, সঙ্গতে লৈয়া চলিলা। শ্ৰীমন্ত শঙ্কৰো মনত হৰিষে অনেক তীৰ্থ দেখিলা ॥'

ৰূপ সনাতন, ৰূপৰ পত্নী, সৰ্ব্বজয়, বলৰাম, পৰমানন্দ, ৰামৰাম গুৰু এওঁলোকৰে সৈতে শঙ্কৰদেৱে সীতাকুণ্ড পালেগৈ। সীতাকুণ্ডত শঙ্কৰদেৱে স্নান দান আদি কৰি আছে। তাৰ বৰ পাণ্ডাসকলে সেই কথা শুনি শঙ্কৰদেৱৰ ওচৰলৈ আহি আলাপ কৰি তেওঁৰ প্ৰভাৱ আৰু পাণ্ডিত্য দেখি বিনয়ভাৱে তেওঁক প্ৰণাম কৰিলত, শঙ্কৰদেৱে তেওঁলোকক তুলি ধৰি প্ৰণাম কৰি ক'লে, "শঙ্কৰে ধৰিয়া তুলি বুলিলা বচন। নুহিক যুগুত গুৰু আমাক বন্দন ॥ শূদ্ৰৰ ব্ৰাহ্মণ গুৰু বেদত কহই। আমি শূদ্ৰ আমাৰ বন্দনী তোৰা হই ॥" এই কথা বৰ পাণ্ডাই "শুনিয়া বুলিলা পাণ্ডা সলোতক ভাৱে। সপোনে দেখিলোঁ শূদ্ৰ নুহিকা স্বভাৱে ॥ পৰম ঈশ্বৰ তুমি বৈকুণ্ঠৰ পতি। এহি বুলি স্বপ্ন বাৰ্ত্তা কহিলা তহিতি ॥" পাণ্ডাৰ এই কথা শুনি, "হেন শুনি ৰূপ সনাতনে বোলে বাক'।

জগতু ঈশ্বৰ প্ৰভু জানোহো তোমাক ॥ তোমাকেসে লাগি আছিলোঁহো বাট চাই । নাগাবন্ধ ছাড়ি আবে যাওক গোসাঁই ॥"

ইয়াৰ পিছত শঙ্কৰদেৱে পাণ্ডাসকলক সান্ত্বনা কৰিলে, আৰু "ৰূপৰ ভাৰ্য্যাক বোলে শঙ্কৰ গোসাঁই । তুমি পৃথিবীত ৰহিবাৰ কাৰ্য্য নাই ॥ চলিগোক সনাতন ৰূপ আবে ঘৰ । ভক্তি ধৰ্ম্ম আচৰিয়া তৰ হোৱাঁ পাৰ ॥" শঙ্কৰদেৱৰপৰা এইদৰে ভক্তি ধৰ্ম্মৰ উপদেশ লাভ কৰি ৰূপ সনাতনে তেওঁৰপৰা বিচ্ছেদ হোৱাৰ নিমিত্তে শোকত বহুত ক্ৰন্দন কৰি, পিছত শোক সম্বৰণ কৰি, মন স্থিৰ কৰি, ঘৰলৈ উভতি আহিল । পিছ দিনা শঙ্কৰদেৱে গঙ্গাত স্নান কৰি, বৰাহ তীৰ্থলৈ গ'ল । বৰাহ-বিষ্ণুৰ জন্মস্থান বৰাহ তীৰ্থত স্নান দান আদি কৰি তেওঁ প্ৰয়াগলৈ গ'ল। প্ৰয়াগৰপৰা তেওঁ পুষ্কৰ তীৰ্থলৈ গ'ল । ইয়াৰ পিছত তেওঁ মথুৰা বৃন্দাবন পালেগৈ, আৰু তাত থাকোঁতেই আসামত লেটেকুপুখুৰীত হৰশিংগা বৰান ঘৰত ১৪১১ শকত ৰৱকণা গিৰী বা গোবিন্দ গিৰীৰ এটি পুত্ৰ ওপজে যাৰ নাম মাধৱ, আৰু যাৰ কথা এই গ্ৰন্থত পিছত বিস্তাৰিত ভাৱে কোৱা হ'ব । তাৰপৰা ভক্তসকলৰ অনুৰোধত শঙ্কৰদেৱ দ্বাৰকালৈ গৈ চতৰ বিহৰ দিনা ৰুক্মিণীদেৱীৰ মন্দিৰ ভক্ত-সকলক দেখুৱায় বুলি চৰি ত আছে । বৃন্দাবনৰপৰা শঙ্কৰদেৱ বদৰিকাশ্ৰমলৈ যায় । "মন মেৰি ৰামচৰণহি লাগু" এই গীতটি শঙ্কৰদেৱে বদৰিকাশ্ৰমতে ৰচনা কৰে । বাৰ বছৰ এইদৰে নানা তীৰ্থ ভ্ৰমণ কৰি তেওঁ ৰৰদুৱা হৈ উভতি আহি ঘৰ পালেহি । "কতো দিনে পথক্ৰমে আসি দেৱ ঘৰ । ভক্তগণ সমে পাছে পাইল নিজ ঘৰ ॥"

পঞ্চম অধ্যায়

বৰদোৱা পৰিত্যাগ

শঙ্কৰদেৱে নানা তীৰ্থ ভ্ৰমণ কৰি বাৰ বছৰৰ মূৰত ঘৰলৈ উভতি আহে । ইমান দিনৰ মূৰত শঙ্কৰ ঘৰলৈ উভতি অহাত তেওঁৰ বুঢ়ীমাক খেৰসূতীয়ে তেওঁক চাবলৈ লৰালৰিকৈ উধাতু খাই যাওঁতে "খাটৰ খুৰাত খুন্দা খাই যাৱ ভৈল ভৰি । কান্দিবে লাগিলা শঙ্কৰৰ গলে ধৰি ॥ এতদিন বাপু তুমি কিসক নাসিলা । সবাকে সম্বোধি দেৱ শঙ্কৰ ৰহিলা ॥" শঙ্কৰক "দেখিয়া হাতত স্বৰ্গ পাইলা বুঢ়ী আই । পৰম আনন্দ ভৈল জিয়ৰী জামাই ॥ নানা ভক্তগণ ভূঞা যতেক ব্ৰাহ্মণ । শঙ্কৰক পাইয়া আনন্দিত ভৈল মন ॥"

ইমান বছৰৰ মূৰত শঙ্কৰক পাই জ্ঞাতি কুটুম্ব সকলোৱে আনন্দিত হৈ তেওঁক তেওঁৰ আগৰ আপোন কাৰ্য্য ভূঞাৰ বিষয় গ্ৰহণ কৰি ৰাজকাৰ্য্য চৰ্চ্চা কৰিবলৈ ক'লত, শঙ্কৰে উত্তৰ দিলে "মোক আৰু বিষয় নালাগে ; ঈশ্বৰৰ নাম লৈ ৰহি থাকিবৰ হে মোৰ ইচ্ছা ।" ইয়াৰ পিছত পিতৃদেৱৰ কুসুম্বৰৰ সৰিসহ-তলিত শঙ্কৰদেৱে নামঘৰ মণিকূট সজাই তিনি-প্ৰসঙ্গ কৰি হৰিনাম শ্ৰৱণ কীৰ্ত্তন কৰি সুখেৰে কাল কটাবলৈ ধৰিলে । শঙ্কৰ তীৰ্থৰ পৰা অহাৰ কিছুদিনৰ পিছত তেওঁৰ বুঢ়ীমাক খেৰসূতীৰ মৃত্যু হয় । বুঢ়ীমাকৰ শ্ৰাদ্ধ-বিধি সমাপন কৰি, শঙ্কৰদেৱে ধৰ্ম্ম প্ৰকাশ কৰি কিছুকাল থকাৰ পিছত, জয়ন্তা সাধৱ আৰু আন আন বংশ জ্ঞাতি সকলে শঙ্কৰক পুনৰ্ব্বাৰ বিবাহ কৰিবৰ নিমিত্তে অনুৰোধ কৰিলত, তেওঁলোকৰ বচন পালি, কালিকা ভূঞাৰ কন্যা কালিন্দীক তেওঁ বিবাহ কৰিলে ।

এইদৰে ধৰ্ম্মচৰ্চ্চা আৰু প্ৰচাৰ কৰি শঙ্কৰদেৱ বৰদোৱাত থাকোঁতে কছাৰীবিলাকে মাজে মাজে তেওঁলোকৰ গাৱঁত উপদ্ৰৱ কৰিবলৈ ধৰিলে । সিহঁতে সময়ে সময়ে আহি নানা প্ৰকাৰে গাৱঁত ইমান অত্যাচাৰ কৰিবলৈ ধৰিলে, যে গাৱঁৰ মানুহ ভয়ত ত্ৰস্ত হৈ পৰিল । গঞা মানহবোৰৰ ভিতৰত ইমান ত্ৰাস উপজিছিল যে সামান্য কাৰণত তেওঁলোক আতঙ্কগ্ৰস্ত হৈ পৰিছিল । উদাহৰণ স্বৰূপে দুটি ঘটনা তলত দিয়া গ'ল ।—এদিন তিৰুতামানুহ এজনীয়ে পানী আনিবলৈ যাওঁতে বাটতে তাইৰ মাটিৰ কলহটো ভাগিলত তাই "ভাগিল ভাগিল!" বুলি বেজাৰকৈ দুবাৰ চাৰিবাৰ চিঞৰিলতে গাৱঁৰ মানুহে, কছাৰী আহিছে বুলি ভয়ত টালি-টোপোলা বান্ধি লৈ হাবিত সোমাইছিল গৈ । আৰু এদিন এজনী তিৰুতাই দাৱৰ আগত কটাৰী এখন খুচি লগাই লৈ, কলগছৰ তললৈ গৈ কলাপাত কাটোতেই, কটাৰীখন খহি তাইৰ নাকত পৰি নাকটো কাটিলে । "কাটিলে" "কাটিলে" বুলি তাই চিঞৰি কান্দিবলৈ ধৰিলত, সেই কথা শুনি, গাৱঁৰ মানুহে কছাৰী আহিছে বুলি ভয় খাই পলাই হাবিত সোমাইছিলগৈ । কছাৰীবিলাকে গাওঁ লুটি-পুটি উপদ্ৰৱ কৰি থকাত, গঞা মানুহৰ মনত এইদৰে আতঙ্ক উপস্থিত হোৱা দেখি ভূঞাসকলে পৰামৰ্শ কৰি কছাৰী বধিবলৈ থিৰ কৰিলে । তেওঁলোকে এদিন ডাঙৰ ভোজ এটা পাতি ভাত মঙহ আদি ৰান্ধি, বন্ধুভাৱ দেখুৱাই ছল কৰি কছাৰীবিলাকক খাবলৈ মাতিলে । কছাৰীবিলাকে ভূঞাসকলৰ বন্ধুভাৱত সন্দেহ নকৰি বং মনেৰে ভোজ-ভাত খাই থাকোঁতেই, ভূঞাসকলে কছাৰীবিলাকক কাটি পেলালে ।—কিছুমান কছাৰীহে পলাই সাৰিব পাৰিছিল । শঙ্কৰদেৱে

ভূঞাসকলৰ এই কাৰ্য্যটো অতি গৰ্হিত হৈছে বুলি কৈ তেওঁ বৰ বিৰক্তি প্ৰকাশ কৰিছিল।

ইয়াৰ পিছত শঙ্কৰদেৱে বুজিলে যে বৰদোৱাত থকা আৰু যুক্তিসঙ্গত নহয়, কাৰণ, কছাৰীয়ে এই কাৰ্য্যৰ প্ৰতিশোধ লবলৈ চেষ্টা নকৰি নাথাকে। সেইদেখি তেওঁ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ উঠি যাবলৈ সকলোকে পৰামৰ্শ দিলে।

কছাৰীৰ ইমান দৌৰাত্ম্য, দেশত ইমান হুলস্থুল, তথাপি শঙ্কৰে বৰদোৱাত তেওঁৰ নামৰ হাট ইমান ডাঙৰকৈ পাতি ধৰ্ম্মপ্ৰচাৰ কৰিছিল, যে চাৰিও ফালৰ লোক ভাগি পৰিছিলহি। "বটদ্ৰৱাস্থানে পাছে। শঙ্কৰ ৰহিয়া আছে॥ শুদ্ধ ধৰ্ম্ম কৰি সাৰ। প্ৰচাৰন্ত বাৰম্বাৰ॥ যত দ্বিজ ভূঞালোকা। এৰি সবে দুঃখ শোক॥ শঙ্কৰৰ ঠাইক আসি। শুনে কৃষ্ণ কথা বসি॥ ভক্তগণ সবে গান্ত। বেঢ়ি বসি সাধু সন্ত॥ আনন্দৰ নাহি পাৰ। শঙ্কৰে শিখান্ত সাৰ॥ স্থান স্থান হন্তে জন। আসে তৈক ক্ষণে ক্ষণ॥ সপ্ৰেম ভকতি দেন্ত। তাক লভি সাধু সন্ত॥ আনন্দৰ নাহি পাৰ। ধৰ্ম্ম কৰি সুবিস্তাৰ।" তাত শঙ্কৰদেৱে শিলিখা গছ এজোপাত আউজি বহি দিনৌ শাস্ত্ৰ লিখিছিল। "শিলিখা বৃক্ষত আউজি। লিখে শাস্ত্ৰ মন মজি॥"—(দীননাথ বেজবৰুৱা ৰচিত গুৰুচৰিত।)

ইতিমধ্যে এদিন শঙ্কৰদেৱে বাতৰি শুনিলে যে কছাৰীবিলাকে অনেক ৰণুৱা লৈ তেওঁলোকৰ গাওঁ-ভুঁই ভাঙি-ছিঙি লুটপাট কৰিবৰ নিমিত্তে সাজু হৈ আহিব লাগিছে। এই বাতৰি শুনি শঙ্কৰদেৱে দুইজন পিতামহকে আদি কৰি ভূঞাসকলক, আৰু ব্ৰাহ্মণসকলক মতাই আনি ক'লে যে "মই তোমা-লোকৰ আগত আগেয়ে কৈছিলোঁ যে তোমালোকৰ কাৰ্য্যটো ভাল হোৱা নাছিল, এতিয়া মোৰ কথা ফলিয়ালে।" ইমানবিলাক কছাৰীক তোমালোকে যুদ্ধত বলে নোৱাৰা। "পূৰ্ব্বে কহি আছোঁ আমি নহৈবক ভাল। সি কথা মিলিল আসি জানিবা সকল॥ নাপাৰিবা যুদ্ধে তাসম্ভাৰ বহু লোক। জানিয়া উত্তৰ পাৰে সবে চলিয়োক॥"

শঙ্কৰৰ কথা শুনি সকলোৱে নাৱত বই-বস্তু ভৰা দি ব্ৰহ্মপুত্ৰ পাৰ হৈ উত্তৰ পাৰলৈ গ'ল। শঙ্কৰদেৱে তেওঁৰ ভাৰ্য্যা আৰু ভক্তসকলকো পঠিয়াই দিলে; মাত্ৰ তেওঁ অকলৈ তাত "কাৰ্য্য বুজিবৰ" নিমিত্তে, অৰ্থাৎ কছাৰীয়ে কি কৰে, কি নকৰে, সিহঁতৰ সকলো গতি-বিধি লক্ষ্য কৰিবৰ নিমিত্তে থাকিল। শঙ্কৰদেৱ ঘৰতে বহি আছে, এনেতে কছাৰীবোৰে তেওঁক বেঢ়ি ধৰিলেহি। শঙ্কৰে "দেখন্ত বেঢ়িলে সবে যাইবে বাট নাই। লৰিবা [illegible] আচৰিয়া সেহি ঠাই॥ সহস্ৰেক হাত মান কছাৰীৰ পংক্তি। ডেও দিয়া লংঘি গৈলা বাহিৰক প্ৰতি॥" শঙ্কৰ এই দৰে পাৰ হোৱা দেখি মেচবোৰে "ধৰ ধৰ" বুলি তেওঁৰ পিছে পিছে খেদি গ'ল। শঙ্কৰ-দেৱ আগে আগে লৰি গৈ ব্ৰহ্মপুত্ৰ নৈ পালেগৈ; মেচবোৰেও পিছে পিছে গৈ তেওঁৰ ওচৰ পালেগৈ। শঙ্কৰ নৈত নামি গ'ল। চৰিত্ৰত আছে যে তেওঁ ব্ৰহ্মপুত্ৰত নামি পাৰ হৈ যাওঁতে পানী তেওঁৰ একাঁঠু মাঠোন হৈছিল। কছাৰীবোৰেও তেওঁক সেই দৰে যোৱা দেখি, পানী অৱাং ভাবি তেওঁৰ পিছে পিছে লৰি গৈ পানীত পৰি বুৰি মৰিল। আগৰবোৰ কছাৰী এইদৰে পানীত বুৰি মৰা দেখি পিছৰবোৰ "এইটো দেও মানুহ" বুলি ভয় খাই উভতি [illegible] আহিল। শঙ্কৰদেৱে এইদৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ যাওঁতে বাট [illegible] গীতা শাস্ত্ৰ এখন পালে। তেওঁ সিপাৰ হৈ ভলুকা-গুৰি নামে ঠাইত উপস্থিত হ'লগৈ। আগেয়ে নাৱেৰে নৈ পাৰ হৈ ভলুকাগুৰিতে তেওঁৰ ভাৰ্য্যা আৰু জ্ঞাতি কুটুম্ব সকল আছিল গৈ। তেওঁলোকে শঙ্কৰক দেখা পাই মহা আনন্দিত হৈ সকলো বাতৰি শুনি বিস্ময় মানিলে।

চৰিত্ৰলেখক সকলে কয়, যে মেচবোৰক মাৰি ৰাজ্য ৰক্ষা কৰিবৰ নিমিত্তেহে শঙ্কৰদেৱে তেওঁৰ ভাৰ্য্যা জ্ঞাতি কুটুম্ব আদি আন আন সকলোকে পঠিয়াই দি অকলৈ পিছ পৰি আছিল। "লৰিয়া যান্ত মেচ বিনাশিবে মনে॥ সি কাৰণে আগে প্ৰভু পাৰ নভৈলন্ত। উপায় নকৈলে ৰাজ্য খান নাশিবন্ত॥"

ভলুকাগুৰিত শঙ্কৰদেৱ তিনি পখ আছিল। কিন্তু ভূঞা সকলে তাত থাকি ভাল নেপাই তেওঁক জনালে যে "কোমোৰা-কুটা স্থান অতি সুশোভন। যদি তাক যাইবে আপোনাৰ হয়ে মন॥" শঙ্কৰদেৱে ক'লে যদি এই ঠাই এৰি তোমালোকৰ কোমোৰাকুটালৈ যাবৰ মন গৈছে, মোৰ কোনো আপত্তি নাই, ৰলো যাম।" এই কথা থিৰ হলত শঙ্কৰদেৱে নাৱেৰে গৈ কোমোৰাকুটা পাই তাতে থাকিবৰ মনস্থ কৰি তাত ঘৰ-দুৱাৰ নামঘৰ আদি সজাই ল'ল। কিন্তু কোমোৰাকুটাত থাকি শঙ্কৰদেৱে ভাল নাপাই, ব্ৰাহ্মণ জ্ঞাতি কুটুম্বসকলেৰে সৈতে পৰামৰ্শ কৰি, [illegible] দি উজাই গৈ গাংমৌ পালেগৈ। গাংমৌত থাকিবৰ নিমিত্তে শঙ্কৰদেৱে "হাটী-বাটী নামঘৰ" আদি কৰালে। গাংমৌত শঙ্কৰদেৱৰ বৰ পুতেক ৰমানন্দ ঠাকুৰৰ জন্ম হয়। যি সময়ত ৰমানন্দৰ জন্ম হয়, সেই সময়ত শঙ্কৰদেৱ ভকত ভূঞা সকলেৰে সৈতে সভা কৰি বহি আছিল; এনেতে তেওঁৰ স্ত্ৰী দাসী চন্দীয়ে আহি তেওঁক খবৰ দিলেহি যে

"জেকাগিৰি, তোমাৰ এটি পুত্ৰ জন্ম হৈছে।" এই খবৰ শুনি শঙ্কৰদেৱে আনন্দ প্ৰকাশ নকৰি বিষাদিত মনেৰে তাৰ দিয়া গীতটি ৰচনা কৰি গালে—

"পাৱে পৰি হৰি, কৰোঁহো কাতৰি, প্ৰাণ ৰাখবি মোৰ।
বিষয়-বিষধৰ বিষে জৰজৰ, জীৱন নাৰহে আৰ ॥
অথিৰ ধনজন, অথিৰ জীৱন, অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ, সবহি অসাৰ, কৰবো কা হেৰি সাৰ ॥
কমলদলজল, চিত্ত চঞ্চল, থিৰ নোহে তিল এক।
নাহি ভৱ ভয়, ভোগ পৰিহৰি, পৰম্পদ পৰতেক ॥
কহঁতু শঙ্কৰ, এ দুখ-সাগৰ পাৰ কৰা হৃষিকেশ।
তুহু গতি মতি, দেহ শ্ৰীপতি, তত্ব পথ উপদেশ ॥"

এই গীতটি ৰচনা কৰি গাই শঙ্কৰদেৱৰ মন প্ৰেমত নিমগ্ন হ'ল। "এহি গীত ৰচি প্ৰেমে নিমজ্জিল মন। দেখি সভাসদ ভক্ত বিস্ময় তখন ॥ আনন্দনৰ কাৰ্য্যত বিষাদ কেন ভৈল। সুধিবাক প্ৰতি সেৱকে আলোচিল ॥" সভাসদসকলে ইয়াৰ কাৰণ সুধিলত শঙ্কৰদেৱে ক'লে "অনিত্য শৰীৰ আছে নাই এইক্ষণ॥ কমল পত্ৰৰ জল চঞ্চল যেমন। খানিকে শৰীৰ স্থিৰ নৰহে কখন ॥"

ইয়াৰ পিছত শঙ্কৰদেৱৰ দ্বিতীয় পুত্ৰ হৰিচৰণ আৰু তৃতীয় পুত্ৰ কমল-লোচনৰো তাতে জন্ম হয়।

ত্ৰিহুটৰ জগদীশ মিশ্ৰ নামে ব্ৰাহ্মণ এজনে বাৰণসীত পঢ়ি শাস্ত্ৰত পাৰ্গত হৈ, পুৰীত ৺জগন্নাথ দেৱৰ আগত ভাগৱত শাস্ত্ৰ শুনাবলৈ গৈছিল। প্ৰবাদ আছে, ব্ৰাহ্মণে তাতে জগন্নাথ দেৱৰ পৰা স্বপ্নাদেশ পালে যে তেওঁ গাংমৌলৈ গৈ শঙ্কৰক ভাগৱত শুনাওক, শুনালেই জগন্নাথক শুনোৱাৰ নিচিনা হ'ব। আৰু তেওঁ যেন লগত পঞ্চৰাত্ৰ আৰু গীতা লৈ যায়; সেই দুই পুথিও শৰণ ভজনৰ নিমিত্তে শঙ্কৰৰ দৰকাৰ হ'ব। ব্ৰাহ্মণে ক'ত গাংমৌ, ক'ত আৰু কোন শঙ্কৰ, এই কথাৰ সন্ধেদ পাওঁক সুধিলত, পাওঁই তেওঁক শঙ্কৰৰ ৰাতৰি এইদৰে দিলে- "আজি ৰাতি জগন্নাথ প্ৰভুৱে স্বপ্নত মোকো তোমাক ক'বলৈ আদেশ দিলে, যে কামৰূপৰ সোমাৰ প্ৰদেশ, যাক আসাম ৰজাৰ দেশ বুলি কয়, য'ত বিশ্বনাথ শিৱলিঙ্গ আছে, যাৰ আশ্ৰয়ত বুঢ়ী-গঙ্গা নৈ ব'ব লাগিছে, সেই মহাতীৰ্থত গাংমৌ নামে স্থান আছে; তাতে শ্ৰীমন্ত শঙ্কৰ সম্প্ৰতি আছে। তালৈকে তুমি গৈ তেওঁক ভাগৱত শুনাবগৈ লাগে।" জগদীশে এই আদেশ পাই, সুধি সুধি লাহে লাহে দুমাহে আহি শঙ্কৰদেৱৰ ওচৰ পালেহি। শঙ্কৰদেৱে গাংমৌত ভক্তসকলৰ সৈতে সভা পাতি বহি আছে, এনেতে জগদীশ ব্ৰাহ্মণ তাত উপস্থিত হৈ "স্কন্ধ ছন্দে থৈয়া জুলি শাস্ত্ৰৰ টুপলি। প্ৰণামিলা জয় জয় শ্ৰীশঙ্কৰ বুলি ॥ কুশাসন পাৰি বসিলন্ত দ্বিজবৰ।" শঙ্কৰদেৱে তেওঁক সমাদৰ কৰি, তেওঁ কোন আৰু ক'ৰপৰা আহিছে বুলি সুধিলত ব্ৰাহ্মণে আগৰপৰা গুৰিলৈকে সকলো কথা ক'লে। শঙ্কৰদেৱে শুনি পৰম সন্তোষ লভি ব্ৰাহ্মণক সিধা-পাতি আৰু থাকিবলৈ বহা দি ৰাখিলে। পিছ দিনা পুৱাই ব্ৰাহ্মণে উঠি স্নান সন্ধ্যা আদি নিত্যকৰ্ম্ম কৰি শঙ্কৰৰ ওচৰলৈ গৈ তেওঁৰ আগত ভাগৱত পাঠ কৰিবলৈ ধৰিলে। সাত দিনে ভাগৱত পাঠ আৰু ব্যাখ্যা শেষ কৰি ব্ৰাহ্মণে আৰু সাত দিনত গীতা আৰু পঞ্চৰাত্ৰ এই দুখন শাস্ত্ৰ পাঠ আৰু ব্যাখ্যা কৰি শঙ্কৰদেৱক শুনালে। ইয়াৰ পিছত শঙ্কৰদেৱে সম্পূৰ্ণ ভাগৱত শাস্ত্ৰখনৰ নকল এখন নিজ হাতে লিখি ল'লে। এই কাৰ্য্যৰ অন্তত শঙ্কৰদেৱে জগদীশ মিশ্ৰক সুধিলে যে তেওঁ নিজৰ দেশলৈ উলটি যাবৰ মন কৰিছে নে কি? জগদীশে উত্তৰ দিলে, "মোৰ আৰু আপোনাক এৰি যাবৰ মন নাই; মোৰ পক্ষে আপুনিয়েই জগন্নাথ। কিন্তু শাস্ত্ৰ পাঠৰ অন্তত মোৰ এবাৰ জগন্নাথক দক্ষিণা দি পূজা কৰিবৰ মন হৈছিল; এতিয়া আৰু সেইটো নহ'লেও হ'ব, কাৰণ আপোনাৰ দৰ্শনত মোৰ সকলো সিদ্ধি হ'ল।" চৰিত্ৰত আছে, এই কথা শুনি ব্ৰাহ্মণ মৌন হৈ ৰ'লত, শঙ্কৰদেৱে এতোলা সোণ অনাই, জগদীশৰ হতুৱাই তাতে মাটিতে এটা এবেগেত প্ৰমাণ গাঁত খনাই, গাঁতটোত সাতোটা "বটপত্ৰ" পৰালে; বৰপাত সাতোটাৰ ওপৰত সোণ-তোলা থোৱাই, আৰু সাতোটা বৰ-পাতেৰে তাক ঢকাই তাৰ ওপৰত মাটি দিয়াই পোতালে। শঙ্কৰে তাৰ পিছত ব্ৰাহ্মণক ক'লে যে "তুমি এতিয়া জগন্নাথ মহাপ্ৰভুক এই সোণতোলা অৰ্পণ কৰিলোঁ বুলি মনতে ভাবাঁ, নিশ্চয় তাক জগন্নাথে পাব।" এই কথা শুনি ব্ৰাহ্মণে দণ্ডৱৎ কৰি পৰি "হে জগন্নাথ মহাপ্ৰভু, লওক" বুলিলে। শঙ্কৰে তেতিয়া ব্ৰাহ্মণক গাঁতটো খানি চাবলৈ ক'লত, ব্ৰাহ্মণে খানি চাই দেখিলে, যে সঁচা-সঁচিকৈয়ে তাত সোণতোলা নাই। এই কাৰ্য্য দেখি ব্ৰাহ্মণে আনন্দত নাচিবলৈ ধৰিলে, আৰু ভূঞা বিপ্ৰ আদি ভকতসকলে দেখি আচৰিত মানিলে।

কিছুদিন শঙ্কৰদেৱৰ ওচৰত নাম প্ৰসঙ্গ শ্ৰৱন কীৰ্ত্তন কৰি থাকি জগদীশ ব্ৰাহ্মণে প্ৰাণ ত্যাগ কৰে। শঙ্কৰদেৱে ৰামৰাম গুৰুকে মুখ্য কৰি ব্ৰাহ্মণসকলৰ দ্বাৰাই জগদীশৰ অন্ত্যেষ্টি ক্ৰিয়া কৰাই, ৰাম ৰাম গুৰুৰ হতুৱাই পিণ্ড-জলাঞ্জলি দিয়াই শ্ৰাদ্ধাদি সমাপন কৰালে।

সম্পৰ্ণ ভাগৱত গ্ৰন্থখানি শঙ্কৰদেৱে এইদৰে পাই, সকলোৰে সুবিধাৰ নিমিত্তে তাৰ পদ কৰিবলৈ স্থিৰ কৰিলে। প্ৰথমতে তেওঁ তাৰপৰা কীৰ্ত্তনৰ "পাষণ্ড মৰ্দ্দন" খণ্ড ৰচনা কৰি, "সকলো ভক্তৰ

স্থিৰ কৰিলন্ত হিয়া ॥" তাৰ পিছত "অজামিল উপাখ্যান" ৰচনা কৰি নামৰ মহিমা ব্যক্ত কৰিলে। তাৰ পিছত "প্ৰহ্লাদ চৰিত্ৰ" ছোৱা কৰিলে।

শঙ্কৰদেৱে গাংমৌত সাত বছৰ ছমাহ এইদৰে ধৰ্ম্ম প্ৰকাশ কৰি আছিল। শঙ্কৰৰ পিতামহ জয়ন্তা আৰু মাধৱ এই দুইজনৰ গাংমৌত মৃত্যু হয়।

ইয়াৰ পিছত কেতাই খাঁকে আদি কৰি ভূঞা, বিপ্ৰ, ভক্তসকলে শঙ্কৰদেৱক জনালে যে কছাৰীৰ উপদ্ৰৱত আমি ঘৰদোৱা এৰি ইয়ালৈ আহিলোঁ ; কিন্তু যদিও ই অতি সুন্দৰ স্থান, তথাপি ইয়াত ভোটৰ ভয় ; সেইদেখি আমি এই ঠাই এৰি আন এঠোখৰ মাজ ঠাইলৈ যোৱাটো ভাল। শঙ্কৰদেৱে তেওঁলোকৰ কথা শুনি ধুৱাঁহাটলৈ যোৱাটো ভাল বুলি ক'লত, তালৈকে সকলোৱে যাবৰ থিৰ কৰিলে। পিছত শঙ্কৰদেৱে ভক্তসকলেৰে সৈতে নাৱেৰে কলাকটাই দি উজাই গৈ ধুৱাঁহাট পাই তাতে নৈৰ পানীৰ সুচল দেখি থাকিবৰ মন কৰি, হাবি কটাই হাটীঘৰ নামঘৰ মণিকূট আদি সজাই সত্ৰ পাতিলে। ভূঞা বঙহ পৰিয়াল আদিয়েও তাতে নিবাস কৰিলে। এই ধুৱাঁহাটেই পিছত বেলগুৰি থান বুলি প্ৰসিদ্ধ হ'ল।

এই ধুৱাঁহাট বা বেলগুৰি থানত শঙ্কৰদেৱ থাকোতে নানা ঠাইৰ পৰা লোকসকল আহি শঙ্কৰদেৱক গুৰু মানি ধৰ্ম্ম ধৰিছিল।

সৰস্বতী ভূঞাৰ বংশৰ গয়পাণি নামে কায়স্থ ডেকা এজনে নবদ্বীপত সংস্কৃত শাস্ত্ৰ পঢ়ি আহি ঘৰতে কিছুমান দিন আছিল। কিছুমান দিনৰ মূৰত তেওঁ লগৰীয়া তীৰ্থযাত্ৰী পাই শ্ৰীক্ষেত্ৰলৈ গ'ল, আৰু জগন্নাথ মহাপ্ৰভুৰ ওচৰত প্ৰাৰ্থনা কৰিলে যেন তেওঁ সাধুৰ সঙ্গ লাভ কৰে। চৰিত্ৰ পুথিত আছে যে স্বপ্নত তেওঁক জগন্নাথ মহাপ্ৰভুৱে আদেশ কৰিলে যে "তুমি ঘৰলৈ উভতি যোৱাঁ ; তাতে তুমি বিশিষ্ট সাধুৰ সঙ্গ লাভ কৰিবা ; তোমাৰ আৰু আন কোনো তীৰ্থলৈ যাবৰ সকাম নাই।" এই স্বপ্নাদেশ লাভ কৰি গয়পাণি ঘৰলৈ উভতি আহিল ; আৰু সদায় তেওঁৰ মনত ভাব উদয় হ'বলৈ ধৰিলে "মই ক'ত সন্ত সাধু পাম, আৰু মই ইমানবিলাক শাস্ত্ৰ পঢ়ি শুনি বিদ্বান হ'লোঁ, ক'ত এনেকুৱা পণ্ডিত পাম, যাৰ লগত বাদ কৰি যশস্যা লভিব পাৰিম। শুনিছোঁ, শঙ্কৰ নামে বিদ্বান আৰু প্ৰগাঢ় পণ্ডিত আছে, তেওঁৰে সৈতে বাদ কৰি মোৰ আশা পূৰ্ণ কৰোঁ। তেওঁক যদি বাদত জিনিব পাৰোঁ, তেন্তে মোৰ বিদ্যাৰ যশস্যা বিস্তৃত হৈ পৰি মনস্কামনা সিদ্ধি হ'ব।" ইয়াকে ভাবি গয়পাণি এদিন শঙ্কৰদেৱৰ ওচৰত ওলালগৈ। তেওঁক দেখি শঙ্কৰদেৱে সুধিলে, "তুমি কোন ? কি কাৰ্য্যৰ অৰ্থে মোৰ ওচৰলৈ আহিলা ?" গয়পাণিয়ে শঙ্কৰদেৱক প্ৰণাম কৰি, তেওঁৰ অহাৰ কাৰণ প্ৰকাশ কৰিলত, তেওঁ কি কি শাস্ত্ৰ পঢ়িছে শঙ্কৰদেৱে তেওঁক সুধিলে। গয়পাণিয়ে শাস্ত্ৰবপৰা তিনিটা শ্লোক মাতি, শঙ্কৰদেৱক তাৰ অৰ্থ কৰিবলৈ ক'লত, শঙ্কৰদেৱে গয়পাণিক ক'লে "তুমি শুদ্ধকৈ শ্লোক কেইটা মাতিবকে নোৱাৰিলা, এতেকে মই তাৰ কেনেকৈ কি অৰ্থ কৰিম ? বাক যি কৰিলা আছো এবাৰ শুদ্ধকৈ শ্লোক কেইটা মাতাচোন ?" এই কথা শুনি গয়পাণি হতবুদ্ধি হৈ শ্লোক কেইটা একেবাৰেই পাহৰি গ'ল, আৰু যিমানকে চেষ্টা কৰিলে, শ্লোক কেইটা তেওঁ মাতিবলৈ বিচাৰি নাপালে। শঙ্কৰদেৱে গয়পাণিৰ বিলাই দেখি, নিজেই শ্লোক এটি মাতি দি, গয়পাণিক তাৰ অৰ্থ কৰিবলৈ ক'লে। কিন্তু গয়পাণিৰ শ্ৰুতি-বুদ্ধি সোপাই লোপ পাইছিল, তেওঁ তাৰ আৰু কি অৰ্থ কৰিব, শঙ্কৰদেৱৰ চৰণত দীঘল দি পৰিল। তেতিয়া শঙ্কৰদেৱে মাতিলে—

> তত্ৰৈৱ গঙ্গা যমুনা চ তত্ৰ।
> গোদাবৰী সিন্ধু সৰস্বতীঞ্চ।
> সৰ্ব্বানি তীৰ্থানি বসন্তি তত্ৰ।
> যত্ৰাচ্যুতোদাৰ কথা প্ৰসঙ্গঃ ॥

এই শ্লোকটো মাতি শঙ্কৰদেৱে তাৰ অৰ্থ কৰিলে—

> "কৃষ্ণৰ উদাৰ, কথাৰ প্ৰসঙ্গ
> যথাত হোৱে প্ৰকাশ।
> গঙ্গা গোদাবৰী, আদি তীৰ্থচয়,
> তথাতে কৰে নিবাস ॥"

এই শ্লোকটিৰ সৰল অৰ্থ শঙ্কৰদেৱে এইদৰে কৰি দিলতে,. গয়পাণিয়ে লাহেকৈ উঠি শঙ্কৰদেৱক দণ্ডৱৎ হৈ প্ৰণাম কৰি তেওঁৰ ওচৰত শৰণ মাগিলে। শঙ্কৰদেৱে গয়পাণিক শৰণ দি, তেওঁৰ নাম গয়পাণি গুচাই ৰামদাস দিলে। ৰামদাসে ভাগৰীতুৰি নামে ঠাইত বাস কৰি দিনো অকপৰা আহি শঙ্কৰদেৱৰ ওচৰত কৃষ্ণ কথা শুনি থাকিবলৈ ধৰিলে। (১)

---

(১) ৰামদাসৰ উপৰি পুৰুষসকল,—সৰস্বতী ভূঞা, তেওঁৰ পুত্ৰ গন্ধপাল ভূঞা, তেওঁৰ পুত্ৰ ভূপাল ভূঞা, তেওঁৰ পুত্ৰ ক্ষুপাল, তেওঁৰ পুত্ৰ যশপাল, তেওঁৰ পুত্ৰ ৰামদাস ভূঞা।

ষষ্ঠ অধ্যায়

মাধৱদেৱ

মাধৱদেৱৰ পিতৃৰ নাম মহোদৰ। মহোদৰৰ আৰু তিনটা নাম আছিল, দীঘলপুৰীয়া, গোবিন্দ আৰু ৰৰকণা গিৰী। মহোদৰ ভূঞা কায়স্থ। তেওঁৰ ঘৰ বাণুকা নামে ঠাইত আছিল। বাণুকা ধৰলা নৈৰ (যাক আজি কালি ধৰ্লা বোলে) তীৰত আছিল। গোবিন্দৰ উপবিসকলৰ নাম—"কৃষ্ণ, বিষ্ণু ভূঞা, গোপাল কৃপাল, জনাৰ্দ্দন ভূঞা ভৈল। জনাৰ্দ্দন সুত, মহাজ্ঞানৱন্ত গোবিন্দ নাম ধৰিল॥" (১) গোবিন্দই বাণুকাত ৰজাৰ মজিন্দাৰী কাম কৰি আছিল। তেওঁৰ পত্নীৰ নাম অনুচিতা আছিল। পত্নীৰ মৃত্যুৰ পিছত গোবিন্দৰ মনত বৈৰাগ্য হোৱাত, পুতেক দামোদৰৰ হাতত ৰজাঘৰীয়া তেওঁৰ বিষয় সমৰ্পণ কৰি, আসাম দেশলৈ আহি বৰদোৱা পালেহি। শঙ্কৰদেৱে তেওঁক দেখি আনন্দ পাই বৰদোৱা টেম্প-ৰাণি-ৰহুত ঘৰ-বাৰী কৰাই বাস কৰিবলৈ দি, খুৰাকৰ জীয়েক মনোৰমা বা মনুক তেওঁলৈ বিয়া দিলে।

কছাৰীৰ উপদ্ৰৱত যেতিয়া শঙ্কৰদেৱে ভূঞা সকলেৰে সৈতে বৰদোৱা এৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ যাবলৈ থিৰ কৰিলে, তেতিয়া শঙ্কৰদেৱে গোবিন্দ গিৰীক মাতি আনি ক'লে "চলিয়ো এখন, কৰিয়া যতন, উত্তৰ পাৰক যথা।" এই বুলি কৈ তেওঁ আঠোটা দুলিয়াৰে দোলা এখন ঠিক কৰাই ভাৰ্য্যা স্বামী দুইজনকে পঠিয়াই দিলে। ৰৰকণাগিৰীয়ে সৰ্ব্বস্ব লগত লৈ ভাৰ্য্যাৰ সৈতে দোলাত গৈ থাকোতে গধূলি হোৱা বাবে বাটতে এঠাইত দোলা ৰখাই দোলাতে শুই থাকিল। কিন্তু স্বামী স্ত্ৰী দুয়ো ইমান শ্ৰান্ত হৈ পৰিছিল যে দুইৰো দুৰ্ঘোৰ টোপনি আহি অচেতন হৈ পৰিল। দুলীয়া কেইটাই এনে সুযোগ দেখি তেওঁলোকৰ সৰ্ব্বস্ব লুটি লৈ তেওঁলোকক তাতে এৰি থৈ পলাই গুচি গল। পিছত দুইৰো টোপনি ভাগিলত তেওঁলোকে দেখিলে যে দুলীয়াইঁতে তেওঁ-লোকৰ সৰ্ব্বস্ব লুটি লৈ পলাই সৰ্ব্বনাশ কৰি গল। আনকি গা উদং কৰি গাৰ কাপোৰ পৰ্য্যন্ত নিলে। দুইয়ো কি কৰিব নকৰিব বিমুধি হৈ আছে, এনেতে ৰাতি পুৱাল। ভাৰ্য্যাৰ ৰৰকৈ পিয়াহ লাগিলত, ৰৰকণা গিৰীয়ে ভাৰ্য্যাৰ হাতৰপৰা তামোল-কটাৰীখন লৈ গৈ নলৰ চুঙা এটা কাটি পানী আনিবলৈ নৈলৈ গল। ব্ৰহ্মপুত্ৰ পাই তাতে তেওঁ গা ধুই আহ্নিক আদি কৰি, নিজে পানী খাই ভাৰ্য্যালৈকো পানী আনিবলৈ বুলি নলৰ চুঙাটোত পানী ভৰাই লৈছে মাথোন, এনেতে আসাম ৰজাৰ উজিৰ হৰশিঙা বৰাই ৰাজকাৰ্য্য কৰি নাৱেৰে সেই পিনে উজাই আহি-ছিল। নাওখন অহা দেখি গোবিন্দ গিৰীয়ে ভয় খাই নৰালবিকৈ পলাব খোজোতেই হৰশিঙা বৰাই তেওঁক দেখিবলৈ পালে। নৈৰ পাৰত অৰণ্যৰ ভিতৰত এনে এজন কান্তিমন্ত পুৰুষক অকলৈ দেখি হৰশিঙা বৰাই আচৰিত মানি দূৰৰপৰা মাত লগালে "তুমি নপলাবা! কোনো ভয় নাই। তুমি মোৰ পিতাৰ তুল্য!" নাৱৰপৰা এইদৰে কোৱা শুনি গোবিন্দ থমকি ৰল; আৰু উজিৰৰ নাৱো তেওঁৰ ওচৰ চাপিল। তেওঁ কোন, কিয় তেওঁ অকলৈ সেইদৰে তাত আছে, ইত্যাদি কথা উজিৰে তেওঁক শুধিলত তেওঁ তেওঁলোকৰ বিপদৰ কথা লোপাকে আগৰপৰা গুৰিলৈকে ভাঙি উজিৰৰ আগত কলে। উজিৰে সেই কথা শুনি ৰৰকণা গিৰীক "কহন্ত উজিৰে শুনা তুমি মোৰ পিতা। তোমাৰ পত্নীক মই বলিলোঁহো মাতা॥ এই নৌকা মধ্যে আসি তোৰা দুই জন। আমাৰ সহিত আৱে চলা ৰঙ্গ মন॥" এই বুলি তেওঁ মানুহ পঠিয়াই ৰৰকণা গিৰীৰ ভাৰ্য্যাকো হাবিৰ ভিতৰৰ পৰা অনাই, স্বামী স্ত্ৰী দুইকো নতুন কাপোৰ-চাপোৰ দি খুৱাই নিজৰ নাৱত তুলি লৈ উজাই যাবলৈ ধৰিলে। উজিৰৰ নাৱৰ মাজীজনৰ নাম গোবিন্দ। গোবিন্দৰ ঘৰ ঘাগৰ বুলি ঠাই এখনত, সেইদেখি তেওঁক ঘাগৰী মাজীও বোলে। নাৱত যাওঁতে ঘাগৰী মাজীৰে সৈতে গোবিন্দ গিৰীৰ বন্ধুত্ব হল। বাটত য'তে ভাত-পানী খাবলৈ নাও ৰখা হয়, ত'তে ঘাগৰী-মাজীয়ে বৰ যতন কৰি গোবিন্দ গিৰীৰ নিমিত্তে খোলা চুৰুকি চোকা কৰি দিছিল। গোবিন্দ গিৰী অৰ্থাৎ ৰৰকণা গিৰী আৰু গোবিন্দ মাজী অৰ্থাৎ ঘাগৰী-মাজীৰ ভিতৰত হোৱা বন্ধুত্ব সেই কেইদিনতে গধিমত পৰিণত হল। তেওঁ-লোক গৈ নৃইতৰ মুখ পালেগৈ, আৰু উজিৰে গোবিন্দ গিৰীক ভাৰ্য্যাৰে সৈতে নিজৰ ঘৰলৈ লৈ গল। হৰশিঙা বৰা উজিৰে তেওঁলোকক দাস-দাসী অন্ন বস্ত্ৰ আদি দি মহা সুখেৰে ঘৰতে ৰাখিলে, আৰু নিজৰ ভাৰ্য্যা পুত্ৰসকলক তেওঁলোক দুইকো সাদৰেৰে পৰিচৰ্য্যা কৰিবলৈ কৈ দিলে।

মহোদৰ আতাই (ৰৰকণা গিৰীয়ে) এইদৰে কিছুদিন হৰশিঙা বৰাৰ ঘৰতে থাকি, তাৰ পিছত

---

(১) শ্ৰীযুত অমৃতভূষণ অধিকাৰীৰ দ্বাৰাই সম্পাদিত আৰু প্ৰকাশিত "শ্ৰীমন্নাম ঘোষাত" এওঁলোকৰ নাম পৃথক ;— "শ্ৰুব গিৰী, তস্য পুত্ৰ ধৰ্ম গিৰী, তৎপুত্ৰ অনন্ত গিৰী, তৎপুত্ৰ তত্ত্ব গিৰী, তস্যপুত্ৰ ৰহ গিৰী, তস্যপুত্ৰ দীঘলপুৰীয়া গিৰী, তস্য পুত্ৰ মানকানাই গিৰী, তৎপুত্ৰ মহাপুৰুষ শ্ৰীমন্ত মাধৱদেৱ।"

ৰবাৰ ঘৰৰ ওচৰতে এডোখৰ ঠাইত সুকীয়াকৈ ঘৰ সজাই লৈ থাকিল। ইয়াতে ১৪১১ শকৰ জেঠ মাহ, কৃষ্ণপক্ষ প্ৰতিপদ তিথি, ৰবিবাৰ, ৰাতি দুপৰত মাধৱদেৱৰ জন্ম হয়।* ছয় দিনৰ দিনা দৈৱজ্ঞ ব্ৰাহ্মণসকলক মতাই আনি ৰৰ-কণাগিৰীয়ে পুত্ৰৰ বিষয়ে গণনা কৰোৱাত তেওঁ-লোকে গণি পড়ি ক'লে যে, এই সন্তান ঈশ্বৰাংশ-সম্ভূত সুলক্ষণীয়া। পুত্ৰৰ মাধৱ আৰু বৰ্য্যাকৰ এই দুই নামকৰণ হ'ল।

উজিৰৰ ঘৰৰ কাষৰ ঘৰতে মাধৱদেৱৰ বাপেক, মাক আৰু হৰশিঙা ৰবাৰ যত্নত দিনে দিনে বাঢ়িবলৈ ধৰিলে। তেওঁ এমাহতে এবছৰীয়া লৰাটো যেন হ'ল। "এমাহতে ভৈলা এক বৎসৰীয়া যেন।" পাঁচ, সাত বছৰত তেওঁ লৰাবোৰৰে সৈতে উমলি লৰি-চাপৰি ফুৰিছিল। চৰিত্ৰ পুথিত আছে, এদিন মাধৱে বাৰ বছৰ বয়সত হৰশিঙা ৰবাৰে সৈতে নৈত গা ধুবলৈ গৈ ৰবাৰ হাক নুশুনি পানীত বুৰ মাৰিলে। ভালেখিনি পৰ পানীৰ পৰা তেওঁ নোলোৱা দেখি, ৰবাই ভয় খাই বুৰ মাৰি তাত তেওঁক দেখিলে; কিন্তু মাধৱ কোনখিনিত আছে ঠিক কৰিব নোৱাৰি আকৌ পানীৰ পৰা ওলাই দেখিলে যে মাধৱ পাৰত বহি আছে।

ইয়াৰ পিছত উজিৰে মাধৱক লেখা-পঢ়া শিকোৱাৰ দিহা কৰি দিলে। এদিন উজিৰে মাধৱক ক'লে যে তুমি ডাঙৰ হৈছা এতিয়া বহি থাকিলে নহয়, মোৰ খেতিৰ লগতে তোমালোকৰ নিমিত্তে তুমিও মাটি এডৰাত খেতি কৰা। এই কথা শুনি মাধৱে উজিৰৰ খেতিৰ লগতে এডৰা মাটিত মাহ আৰু ধানৰ খেতি কৰিলে। সেই খেতিত মাহ আৰু ধান ইমান হ'ল যে সেইবোৰ বেচি মাধৱে বহুত ধন পাই সেই ধন তেওঁৰ পিতৃক দিলে।

মাধৱ চৌদ্ধ পোন্ধৰ বছৰ বয়সীয়া হ'লত উজিৰে নিজৰ কাৰ্য্যত ইফালে সিফালে ফুৰিবলৈ যাওঁতে লগে লগে মাধৱক লৈ ফুৰিছিল। এদিন মাধৱে উজিৰৰ লগত বৰ নাৰায়ণপৰ চাবলৈ যাওঁতে তিতা-চোমদাৰ নামেৰে ভদ্ৰলোক এজনৰ ঘৰৰ আগৰ বাটেদি গৈছিল। চোমদাৰৰ ঘৰৰ আগতে এজোপা ডাঙৰ চম্পা গছ আছিল; তাত ডাঙৰ ডাঙৰ পাহিৰে চম্পা ফুল ফুলি থকা দেখি মাধৱে চোমদাৰক সেই ফুল পাৰি দিবলৈ ক'লে। চোমদাৰে ইমান-জোপা ভয়ঙ্কৰ গছত উঠি কেনেকৈ ফুল পাৰি দিব বুলি কোৱাত, মাধৱদেৱে তেওঁক নেৰালেপেৰাকৈ ধৰি ক'লে আৰু "তোমাৰ গাত শকতি আছে, তুমি ফুল পাৰিব পাৰিবা।" চৰিত্ৰত আছে,—এই কথা শুনি উজিৰে গছজোপাৰ গুৰিত সাৰটি ধৰি জোকাৰ মাৰি দিলত, এটা ডাল ভাগি পৰিল। সেই ডালটোত সাত অঙ্গুল দীঘল পাহিৰে চম্পাফুল আছিল, সেই ফুল আনি উজিৰে মাধৱক দিলত মাধৱে আনন্দ মনেৰে তাক পিন্ধি উজিৰক শলাগিবলৈ ধৰিলে।

ইয়াৰ কিছুদিনৰ পিচত মাধৱে উজিৰক ক'লে যে "তোমাৰ লেটেকুপুখুৰীৰ পাৰতে আমাক ঘৰ সজাই দিয়া, আমি তালৈকে যাওঁ।" এই কথা শুনি উজিৰে তেওঁলোকৰ নিমিত্তে লেটেকু পুখুৰীৰ পাৰতে ঘৰ সজাই দিলে আৰু পিতৃ মাতৃৰে সৈতে মাধৱদেৱে আনন্দ মনেৰে তাতে থাকিবলৈ ধৰিলে।

কিছুকালৰ পিছত হৰশিঙা ৰবা উজিৰৰ মৃত্যু হ'ল; দেশত দুৰ্ভিক্ষ আৰু বিদ্ৰোহ হ'বলৈ ধৰিলে। ৰৰকণা গিৰীৰ হাতত যি ধন আছিল সেই ধন চুকুৱাত তেওঁলোকৰ দুখ হ'বলৈ ধৰিলে দেখি, মাধৱে এদিন তেওঁৰ পিতৃক সুধিলে যে "আমাৰ কোনো মিত্ৰিৰ নাই নে, যাৰ ঘৰলৈ আমি এই ঠাই এৰি যাব পাৰোঁ?" মাধৱৰ কথা শুনি ৰৰকণা গিৰীয়ে ক'লে যে "মোৰ এজন পুৰণি বান্ধৱ আছে, তেওঁৰ ঘৰলৈকে যাওঁহঁক বলা।" দুয়ো এইদৰে আলচ কৰি সেই বান্ধৱৰ ঘৰমুৱা হৈ গৈ গধূলি বেলিকা তেওঁৰ ঘৰ পালেগৈ। বান্ধৱজনে তেওঁলোকক দেখি আনন্দ প্ৰকাশ কৰা দূৰত থাওক ভাল মুখে নমতাই হ'ল। অলপ পৰৰ মূৰত তেওঁ তেওঁলোকক ঢেঁকীশালত বহিবলৈ দিলে। কিছু ৰাতি হ'লত তেওঁ তেওঁলোকক চাউল দিলে। অসন্তোষ মনেৰে মাধৱে পিতৃৰে সৈতে ৰাতি "চাউল সিজোৱা" খাই শুই থাকি, ৰাতি পুৱালতে তাৰপৰা নিজৰ ঠাইলৈ ঘূচি আহিল।

ইয়াৰ পিচত মহোদৰ আতাই মাধৱ আৰু ভাৰ্য্যাৰে সৈতে সেই ঠাই পৰিত্যাগ কৰিবলৈ থিৰ কৰি ক'লে যে "মোৰ এজন সমন্ধীয়া ভাই আছে তেওঁৰ ঘৰলৈকে যাওঁহঁক।" তেওঁলোক গৈ সেই-জনৰ ঘৰ পালত, মহোদৰক সেইজনে বহিবলৈ পীৰা দিলে। মহোদৰৰ ভাৰ্য্যাক ঘৰৰ ভিতৰলৈ মতাই নি, অনাদৰ অশ্ৰদ্ধা কৰি ভৰি ধুবলৈ পানী দিলে। এপৰমান তেওঁলোক বহি থকাৰ পিছত, গিৰিহঁতে এখন কুঠাৰ মাধৱক উলিয়াই দি খৰি কাটিবলৈ ক'লে। মাধৱে খৰি ফালি আছে, গিৰি-

---

* "চৌদ্দশ এগাৰ শকে জ্যৈষ্ঠ মাস মিলি। কৃষ্ণপক্ষ ৰবিবাৰ প্ৰতিপদ পাই ॥ সে সময়ে মাধৱৰ প্ৰকাশ ভৈলন্ত। শঙ্কৰৰ প্ৰশংসু ভৈলা সিদ্ধ বুলি সত ॥"

হঁতে খৰিবোৰ ভিতৰলৈ সুমাই নি আছে। মাধৱে দেখি কথাটো বুজি শেহৰ খৰি কেইডালৰ ওপৰত বহিলতহে সেই কেইডাল নিনিয়াকৈ ৰ'ল। ইয়াৰ পিছত বেলি কৰি গিৰিহঁতে তেওঁলোকক চাউল আৰু চৰু দিলে ; আৰু চাউল ইমান ডাকৰীয়া যে তিনিজনে খাবলৈ নাটে। মাধৱদেৱে তাকেই ৰান্ধি পিতৃ মাতৃক দিলে। মাতৃয়ে ডাকৰীয়া চাউলৰ ভাতে নাটে বুলি নাখাওঁ বুলিছিল ; কিন্তু মাধৱৰ অনুৰোধত খাবলৈ বহিলত, দেখিলে যে ভাতে তিনিওকো আটিলে। সম্বন্ধীয়া ভাইৰ এনে ব্যৱহাৰ দেখি ৰবকণা গিৰীয়ে প্ৰভাতে ভাৰ্য্যা পুত্ৰৰে সৈতে তাৰ পৰা ওলাই আন ঠাই বিচাৰি গ'ল। তেওঁ পুতেকক কলে "বোপা, ধাগবত ধাধৰী-মাজী নামে মোৰ এজন বান্ধৱ আছে, তেওঁৰ ওচৰলৈকে যাওঁ বলা।" এইবুলি তেওঁলোক ধাগৰৰ ফালে যাবলৈ ধৰিলে। বাটত যাওঁতে যাওঁতে দুপৰীয়া হ'লত মাধৱদেৱৰ পিতৃ ভোকত কাতৰ হৈ পৰি এজোপা বৰগছৰ ছাঁত বহিল। ভোকত তেওঁৰ গা ইমানকৈ বহিছিল যে তাতে তেওঁৰ টোপনি আহিল। মাধৱদেৱে পিতৃ-মাতৃৰ এনে কষ্ট দেখি, তেওঁলোকলৈ কিবা খোৱা বস্তু ক'ত পোৱা যায় বিচাৰি গৈ, এখন এৰাবাৰীত এটা কুমলীয়া লাও দেখি, তাকে পাৰি আনি, বাঁহৰ কৰ্দ্দনী এচলাৰে চুছি তেওঁলোকক খাবলৈ দি, নিজেও অলপ খালে। তাকে খাই অমৃত যেন পাই তেওঁলোক সুস্থ হৈ লাহে লাহে যাবলৈ ধৰিলে। যাওঁতে যাওঁতে গধূলি বেলিকা বাটকৰা এঘৰত কান্দোন শুনি মাধৱদেৱে তাৰ কাৰণ সুধি জানিলে যে সেই গৃহস্থই পাট-পলু পুহি প্ৰবৰ্ত্তে। কোনো কাৰণত সেইদিনা গৃহস্থৰ পাট-পলুবোৰ মৰি গ'ল, সেইদেখি বেজাৰত তেওঁলোকে কান্দিছে। এই কথা শুনি মাধৱদেৱে গৃহস্থক আশ্বাস দি পলুবোৰ তেওঁৰ আগলৈ আনিবলৈ ক'লত গৃহস্থই ডলা এখনত আনি দিলে। মাধৱে তেওঁক আৰু এখন ডলা আনিবলৈ কৈ পলুবোৰ বৰ সৰু অনুসাৰে ভগাই দি সিহঁতক কোমল পাত খাবলৈ দিলত সিহঁতে পাত খাবলৈ ধৰিলে। যিবোৰ পলু মৃতপ্ৰায় হৈ আছিল সেইবোৰে লাহে লাহে পাত খাবলৈ ধৰিলত, গৃহস্থই আচৰিত হৈ, তেওঁলোকক পদূলিৰ আগত থকা গোহালিঘৰৰ কামতে নবালখিকৈ নকৈ এডোখৰ ঘৰ সাজি দি থাকিবলৈ দি, সিধাপাতি দি ৰাখিলে। ৰাতি তেওঁলোক তাতে থাকি পিচদিনা প্ৰভাতে উঠি ধাগৰৰ ফালে যাবলৈ ধৰিলে। এপৰমান বেলি যোৱাত তিনিও ধাগৰ পালেগৈ। ধাগৰ নৈৰ ইপাৰে নাও নাপাই ৰবকণা গিৰীয়ে "মিতা, মিতা" বুলি খিঙিয়াই মাতিবলৈ ধৰিলে। নৈৰ সিপাৰে তিৰুতা মানুহ এজনীয়ে পানী আনিবলৈ আহি সেই মাত শুনি, সুধিলে তেওঁলোক কোন, কাক তেওঁলোকে মিতা মিতা বুলি মাতিছে ? মাধৱে উত্তৰ দিলে "ৰবকণা গিৰী আহিছে বুলি ধাগৰীমাজীক কোৱাগৈ।" তিৰুতা মানুহজনীয়ে এই কথা শুনি মাজীক ক'লত, মাজীয়ে আচৰিত মানি নাও এখন লৈ আহি তেওঁলোকক পাৰ কৰি নিলে। ধাগৰী-মাজীয়ে মিতা ৰবকণা গিৰীক পাই আনন্দত আকুল হৈ আকোৱাল মাৰি ধৰি, তাৰ পিছত প্ৰণাম কৰি, পাৰৰ ধূলি মূৰত ল'লে। মহোদৰ আতাই মাজীক আগৰ পৰা গুৰিলৈকে সকলো বৃত্তান্ত ক'লত, মাজীয়ে অতি আদৰকৈ তেওঁলোকক তেওঁৰ ঘৰতে থাকিবলৈ ধৰি, নিজৰ ঘৰৰ ভিতৰত বহিবলৈ দি, নিজ হাতে পানী আনি ৰবকণা গিৰীৰ ভৰি ধুৱাই দিলে। মাজীৰ ঘৈণীয়েকেও মাধৱৰ মাতৃৰ ভৰি ধুৱাই দি আদৰ-সাদৰকৈ তেওঁক বহুৱালে। তাৰ পিছত মাজীয়ে তেওঁলোক থাকিবলৈ ভাল ঘৰ এটিৰ দিহা কৰি দি খাব লবলৈ সকলো ঠিক কৰি দিলে।

ধাগৰীমাজীৰ ঘৰতে কিছুমান বছৰ ৰবকণা গিৰী ভাৰ্য্যা পুত্ৰ সমণ্বিতে সুখে সন্তোষে থাকোঁতে তাতে তেওঁৰ উৰ্ব্বশী নামে এটা কন্যা জন্ম হয়। মাধৱেও তাত পকা ডোঙৰ কালত অনেক শাস্ত্ৰ পঢ়ি জ্ঞান উপাৰ্জ্জন কৰিছিল।

এদিন ধাগৰীমাজীয়ে মাধৱদেৱক ক'লে "বোপা এনেই বহি থকাতকৈ কিছুমান ধানৰ খেতিকে কৰা। সেই ধান বেচি যি টকা-কড়ি পাবা, তাক সাঁচিব পাৰিবা। সময়ত টকা বৰ দৰ্কাৰী। মোৰ সাতহাল গৰু আছে, মাটি নচহোৱাকৈয়ে তুমি যেনে ইচ্ছা খেতি কৰাব পাৰিবা।" এই কথা শুনি মাধৱে খেতি কৰাই অনেক ধান পালে। আৰু সেই ধান বেচি যি টকা পালে সকলো নি মাকৰ হাতত দিলে।

তেওঁলোক ওঠৰ বছৰ ধাগৰী-মাজীৰ ঘৰত আছিল। যেতিয়া উৰ্ব্বশী-কন্যাৰ দহ বছৰ বয়স হ'ল, মাধৱে এদিন পিতৃক ক'লে যে উৰ্ব্বশীক বিয়া দিবৰ হ'ল ; ইয়াত ভাল কায়স্থ নাই ; এতেকে আমি এই ঠাই এৰি ভাল কায়স্থ ল'ৰা এজন বিচাৰি যাব লাগিব। পিতৃ মাতৃৰ সৈতে মাধৱে এই পৰামৰ্শ কৰি থিৰ কৰি, ধাগৰীমাজীক ক'লত, মাজীয়ে বন্ধু বিচ্ছেদ হোৱাৰ আগন্তুক দেখি বেজাৰ পাই কান্দিবলৈ ধৰিলে। শেহত মাজীয়ে নিৰুপায় হৈ বেজাৰ মনেৰে তেওঁলোকক নাও মানুহ ঠিক কৰি দিলত, নাৱত তেওঁলোকে সৰ্ব্বস্ব ভৰা দি সপৰিবাৰে মাজীক সান্ত্বনা কৰি বিদায় লৈ ধাগৰ এৰি বুঢ়ী-লৌহিত্য পালেগৈ। ধুৰাবোল সুতিয়েদি কলাকটালৈ গৈ ভাওৰী-ভুবী পাই তাতে তেওঁলোক নাও বান্ধি ৰ'ল। দুপৰীয়া তেওঁলোকে ভোজন কৰিবৰ নিমিত্তে নৈৰ

পাৰত খোলা চিকুণাই ভাত ৰান্ধিবৰ আয়োজন কৰিছে, এনেতে ৰামদাস ভূঞা (গয়পাণি) সেই ঘাটলৈ গাধুবলৈ আহিছিল। তেওঁলোক কোন বুলি ৰামদাসে সুধিলত মাধৱদেৱে ক'লে যে "আমি উত্তৰপৰা আহিছোঁ কায়স্থ মানুহ। মোৰ ভনীক বিয়া দিবৰ হৈছে সেইদেখি বিশিষ্ট কায়স্থ দৰা এজন বিচাৰি আহিছোঁহঁক।" ৰামদাসে ক'লে যে "সৰস্বতী ভূঞাৰ ঘৰত মোৰ জন্ম, ময়েই বিশিষ্ট কায়স্থ। ইচ্ছা হ'লে মোলৈকে আপোনাসকলৰ কন্যা বিয়া দিব পাৰে।" ৰামদাস দেখিবলৈ সুশ্ৰী আৰু সদ্বংশজাত, এতেকে কন্যা দিবলৈ তেওঁলোকে মনতে থিৰ কৰিলে ৰামদাসে তেওঁলোকৰ সৰ্ব্বস্ব নিজৰ ঘৰলৈ তোলাই নি, তেওঁলোকক এটা নতুন ঘৰত থাকিবলৈ দিলে; আৰু তেওঁলোক তাতে সুখেৰে থাকিবলৈ ধৰিলে। ইয়াৰ পিছত উৰ্ব্বশীক ৰামদাসলৈ বিয়া দিয়া হ'ল।

উৰ্ব্বশীক বিয়া দিয়াৰ কিছুদিনৰ পিছত মহোদৰে ভাৰ্য্যা মনোৰমাক জীয়েক জোঁৱায়েকৰ লগতে থৈ, মাধৱক লগত লৈ, নাৱেৰে নিজৰ দেশ বাণ্ডুকালৈ গ'ল। বাণ্ডুকাত তেওঁৰ আগৰ ভাৰ্য্যাৰ সন্তান দামোদৰ আছিল। দামোদৰে পিতৃক অনেক কালৰ পিছত দেখি পিতৃৰ চৰণত পৰি কান্দিবলৈ ধৰিলে; আৰু ক'লে "পিতা, ইমান দীৰ্ঘকাল তোমাৰ কোনো বাৰ্ত্তা নাপাই মৰণাপন্ন হৈ আছিলোঁ; আজিহে তোমাক দেখি আমাৰ ধাতু আহিল। বলা ভিতৰলৈ বলা।" মাধৱদেৱক দেখি দামোদৰে সুধিলে "পিতা, এইটি কাক তুমি লগত আনিছা?" বাপেকে ক'লে "বাপু, এইটি তোমাৰ কনিষ্ঠ ভাই। মই টেম্পাৰাণি জানত থাকোঁতে যাক বিয়া কৰাইছিলোঁ, তেওঁৰ গৰ্ভত এইটি পুত্ৰ আৰু এটি কন্যা জন্ম হৈছিল। কন্যাটিক এজন ভূঞালৈ বিয়া দি মাকৰে সৈতে জোঁৱাইৰ লগত থৈ আহিছোঁ।" এই কথা শুনি দামোদৰে মাধৱক সাৱট মাৰি ধৰি মৰম কৰি ক'লে "বোপা, কি ভাগ্যে মই তোমাক ভাই পাইছো; এই ঘৰবাৰী সকলো তোমাৰ, তুমি ইয়াতে থাকা।"

মহোদৰ আৰু দুই পুতেকে সৈতে বাণ্ডুকাতে কিছুকাল আনন্দ মনেৰে আছিল। কালক্ৰমত তেওঁৰ তাতে মৃত্যু ঘটিল। দুই পুতেকে তেওঁৰ কাঠ-সংস্কাৰ কৰিলে। দামোদৰে মহা খেদ কৰিবলৈ ধৰিলে, যে তেওঁৰ হাতত সৰহকৈ ধন নাই, যাতে তেওঁ যথাযোগ্যৰূপে বাপেকৰ শ্ৰাদ্ধাদি কৰি ব্ৰাহ্মণসকলক দক্ষিণা দিয়ে। তেওঁক সকলোৱে সেই ঠাইত বজাৰ দেৱান বুলি জানে, সেইদেখি তেওঁ তেওঁৰ পদ অনুসৰি ব্ৰাহ্মণসকলক দক্ষিণা দিব নোৱাৰিলে, সকলো ব্ৰাহ্মণে তেওঁক শাও দি যাব। এই কথা শুনি মাধৱদেৱে ককাইদেৱৰক ক'লে যে "দাদা, তুমি খেদ নকৰিবা; মই ইয়াৰ ব্যৱস্থা কৰিম।" ইয়াকে কৈ তেওঁ কিছুমান টকা ভঙাই আধলি সিকি কৰি লৈ ব্ৰাহ্মণসকলৰ ঘৰে ঘৰে গৈ তেওঁলোকৰ দক্ষিণা আগে আগে থৈ অতি বিনয় কৰি জনাই তেওঁলোকক প্ৰসন্ন কৰিলে। ব্ৰাহ্মণসকলে মাধৱৰ নম্ৰ বচনত সন্তুষ্ট হৈ ক'লে যে "আমি যদি ঘৰতে বহি দক্ষিণা পালোঁ, আৰু শৰাধলৈ যাবৰ সকাম কি।" ককায়েকে মাধৱৰ এই বুদ্ধি দেখি সন্তোষ পাই মাধৱক শলাগিবলৈ ধৰিলে। ইয়াৰ পিছত দুয়ো পিতৃৰ শ্ৰাদ্ধ সুকলমে সমাপন কৰিলে। কিন্তু গিয়াতালিৰ দিনা ভোজলৈ যি মাছ অনা হৈছিল, সেই মাছ দৈৱাৎ গেলা ওলাল। দামোদৰে বেজাৰ কৰি মাধৱক ক'লে "বোপা মাছ গেলা; এই মাছেৰে ভোজ বান্ধি জ্ঞাতিসকলক খুৱাবলৈ গ'লে, তেওঁলোকে ক্ৰোধ কৰিব। ন-কৈ মাছ কিনিবলৈকো ধনৰ অনাটন; এতেকে কি কৰা যায়, মই বিমোৰত পৰিলোঁ।" মাধৱে এই কথা শুনি ককায়েকক ক'লে যে "দাদা, তুমি খেদ নকৰিবা; মই এই মাছেৰেই নিজে আঞ্জা বান্ধি দিম, সকলো সন্তুষ্ট হ'ব।" এই কথা কৈ মাধৱে নিজ হাতে সেই মাছৰ সুন্দৰকৈ আঞ্জা বান্ধিলে; আৰু সেই আঞ্জা জ্ঞাতিসকলে শলাগি শলাগি খালে। দামোদৰে মাধৱৰ কাৰ্য্য দেখি অতিশয় সন্তোষ পাই, ভায়েকক ধন্য ধন্য বুলি শলাগিবলৈ ধৰিলে।

ইয়াৰ পিছত কিছুদিন মাধৱদেৱ তাতে থাকি, ককায়েকৰ ওচৰত বিদায় লৈ, মাতৃক চাবলৈ আহিল। মাতৃয়ে তেওঁৰ স্বামীক নেদেখি শোকাতুৰা হৈ মাধৱক শুধিলত, মাধৱে পিতৃৰ মৃত্যুৰ বাতৰি মাকক ক'লে। মাকে এই খবৰ শুনি মাটিত চাচ্কৰে পৰি অনেক কান্দি-কাটি, হাতৰ শঙ্খৰ খাৰু আৰু কপালৰ সেন্দুৰ পৰিত্যাগ কৰিলে।

কিছুকাল মাকৰ লগত থাকি মাধৱদেৱে তেওঁৰ ভাগৰ বস্তু আনিবলৈ আকৌ বাণ্ডুকালৈ গ'ল। দামোদৰে ভায়েকক দেখি সন্তোষ পাই, মজিন্দাৰ কামত নিযুক্ত কৰি দিলে। ছমাহ মাধৱদেৱে মজিন্দাৰী কাম কৰিলে। ছমাহৰ মূৰত এদিন ককায়েকে হিচাপৰ কাকতপত্ৰ চাই দেখিলে, যে কাকতত কাৰো বিলাতৰ বাকী ৰখা নাই। এনে দেখি তেওঁ খং কৰি ভায়েকক ক'লে "কি কাম কৰিলি বাপু, বাকী নাৰাখিলি। আমাৰ কাথাদি বৃত্তি সকলো নাশিলি।" এই বুলি খং কৰি মাধৱক কামৰ ঠাইৰ পৰা ঘৰলৈ পাছি দিলে। কিন্তু মাধৱদেৱে এই বিষয়ৰ হাত সাৰি মনত বৰ বংহে পালে। এইদৰে কিছুমান দিন ঘৰতে থকাৰ পিছত, ককায়েক ঘৰলৈ উভতি আহিলত, মাধৱে তেওঁক পৈতৃক সম্পত্তিৰ ভাগ খুজিলে। ককায়েকে মাধৱক সেই

বস্তুৰ ভাগ দিলত, মাধৱে মনতে গুণি থিৰ কৰিলে যে "ইসৱ দ্ৰব্যত কোন সাৰ নাহিকন্ত ।। ইথানত নাহি কিছু ভক্তি আলোচন। নাহিকয় সন্ত সাধু আৰু বিজ্ঞ জন ।। মাতৃয়ো আছন্ত জানো শোকাকুলা মন। এতেকে যাইবাক লাগি কৰোহো যতন ।।" ইয়াকে ভাবি তেওঁ তেওঁৰ ভাগৰ সম্পত্তিবোৰ আকৌ ককায়েকক দি দিলে। ককায়েকে মাধৱৰ এই কাৰ্য্য দেখি আচৰিত মানি, বৰ সন্তোষ পালে। বৌয়েকে মাধৱক বৰ মৰম কৰিছিল ; তেওঁ তেতিয়া স্বামীক ক'লে "চাওকচোন মোৰ দেওৰ কেনে ধৰ্ম্মিয়া মানুহ।"

ইয়াৰ পিছত মাধৱদেৱে মাকৰ ওচৰলৈ উজাই আহিবলৈ ইচ্ছা প্ৰকাশ কৰিলত ককায়েকে বিষাদ কৰি, নাও এখন বন্দবস্ত কৰি দিলে। নাৱত উঠি অলপমান উজাই আহোঁতেই মাধৱদেৱৰ খৰগ্ৰহণী ৰোগ উপস্থিত হ'ল। ককায়েকে এই বাতৰি পাই, তেওঁক আকৌ ঘৰলৈ ওভোতাই লৈ গ'ল। কিছুদিনৰ মূৰত তেওঁৰ গা ভাল হ'লত, ককাযেকে এখন নাৱত তামোল ভৰাই মাধৱক দি উজাই পঠিয়াই দিলে। বাটত আহোঁতে মাধৱে তেওঁৰ মাকৰ বৰ নৰীয়া বুলি শুনি মহা চিন্তিত হৈ, শৰৎ কালৰ গোসানী পূজাৰ নিমিত্তে এযোৰ বগা পাঠা আগ কৰিলে। তেওঁ ভাণ্ডাৰীডুবি পাই নাও বান্ধি উঠি নবালবিকৈ মাকক চাবলৈ গৈ দেখিলে যে মাকৰ নৰীয়া ভাল হৈছে। মাধৱে বৈনায়েক ৰামদাসক ক'লে যে "মাতৃৰ নৰীয়া শুনি শোকাতুৰ হৈ মই এযোৰ বগা পাঠা শৰৎকালিৰ দেৱীপূজাৰ নিমিত্তে আগ কৰিছিলোঁ। এতিয়া পূজাৰ ওচৰ চাপিছে, সেইদেখি মই এই টকা দিছোঁ, তুমি মোক বগা পাঠা এযোৰ আনি দিয়াঁ।" এই কথা শুনি ৰামদাসে পাঠা আনি দিম নিদিম একো নকৈ মনে মনে থাকিল। মাধৱে ভাবিলে যে বৈনায়েকে তেওঁক ছাগ আনি দিব। কিন্তু পূজা বৰ ওচৰ পালেহি, তথাপি ৰামদাসে ছাগ আনি নিদিয়া দেখি মাধৱে এদিন খং কৰি তেওঁক ক'লে "হোকোঁৰাকুচীয়াৰ পো বুদ্ধিত পাগল। কিয় আনি নিদিয়া মোক পূজাৰ ছাগল ?" এই কথা শুনি বৈনায়েকেও খং কৰি উত্তৰ দিলে—

"আমাৰ আগত দেখুৱাহা বৰ চোট।
শঙ্কৰক লাগ পাইলে হৈবা লোটসোট ।।"

"তুমি নুবুজি ইমান দিন পাঠা- পাঠা কৰিব লাগিছা ; বিনাশী কাৰ্য্যৰ নিমিত্তে কোনে পাঠা কিনে ? ব্ৰহ্ম অংশী জীৱ তাক কি নিমিত্তে তুমি বধ কৰি আপোনাৰ দুখ আপুনি আজিবা ? জীৱহত্যা কৰি অন্য দেৱক পূজি বিনাশী স্বৰ্গলাভ কৰি আকৌ নৰক ভুঞ্জিব লাগিব।" বৈনায়েকৰ এই উত্তৰ শুনি মাধৱে তেওঁক সুধিলে—"এই কথা তুমি ক'ত পালা ? ইমান দিনে মই ইমানবোৰ শাস্ত্ৰ পঢ়িলোঁ, তাত দেখোন এই ব্যৱস্থা আছে।" বৈনায়েকে ক'লে যে বাৰু "মোৰে সৈতে আৰু দন্দ কৰিবৰ সকাম নাই, শঙ্কৰৰ ওচৰত ইয়াৰ ভাল মন্দৰ ব্যৱস্থা পাবা।" এই কথা শুনি মাধৱে ক'লে "বলা, উঠা তেওঁৰ ওচৰলৈ যাওঁ ; কেনেকৈ নো তেওঁ মোক তৰ্কত ভঙ্গায় চাওঁ।" বৈনায়েকে ক'লে যে "আজি বেলা গল কাইলৈ যামহঁক।" এই বুলি দুয়ো থাকি পিছ দিনা পুৱাই স্নান আহ্নিক আদি কৰি সাজু হৈ শঙ্কৰদেৱৰ ওচৰ পালেগৈ। শঙ্কৰদেৱে তেওঁলোকক বহিবলৈ আসন দিযাই ৰামদাসক মাধৱৰ কথা সুধিলে, "এইজন সুন্দৰ পুৰুষ কোন ? কাৰ পুতেক ? কৰপৰা আহিছে, আৰু অহাৰ সকাম বা কি ? স্বভাৱতে বৰ শান্ত দেখিছোঁ।"

এই প্ৰশ্ন শুনি ৰামদাসে শঙ্কৰদেৱক মাধৱৰ সকলো পৰিচয দি, তেওঁ কিয আহিছে তাৰ কাৰণ ক'লে, আৰু ক'লে যে তেওঁ আপোনাৰে সৈতে বাদ কৰিবলৈ আহিছে। শঙ্কৰদেৱে এই কথা শুনি সন্তোষ পাই হাঁহি ক'লে—"মনু বাইৰ পুতেক ইমান ডাঙৰ হ'ল, যে মূৰে মূৰে ঠেকা লাগিলেও মই চিনি নাপাওঁ।"

ইয়াৰ পিছত দুইৰো বাদ হ'ল। শঙ্কৰদেৱে নিবৃত্তি মাৰ্গৰ শাস্ত্ৰৰ প্ৰমাণ, আৰু মাধৱদেৱে প্ৰবৃত্তি মাৰ্গৰ শাস্ত্ৰৰ প্ৰমাণ দি বাদ কৰি থাকোঁতেই বেলি তিনি-ভৰীয়া হ'ল গৈ, তথাপি দুইজনৰ কথা নিছিগে। এনেতে শঙ্কৰদেৱে শ্ৰীমদ্ভাগৱতৰ পৰা শ্লোকটি মাতিলে

"যথা তৰোৰ্ম্মূল নিষেচনেন।
তৃপ্যন্তি তৎস্কন্ধ ভুজোপশাখাঃ ।।
প্ৰাণোপহাৰাচ্চ যথেন্দ্ৰিয়ানাং।
তথাচ সৰ্ব্বাৰ্চ্চনমুচ্যতেভ্যঃ। *

মাধৱে শ্লোকটো শুনা মাত্ৰকতে, শঙ্কৰৰ শুদ্ধ মত ইয়াকে সাৰোগত কৰি, কেৱল এক মাত্ৰ কৃষ্ণদেৱ হে উপাস্য দেৱতা ইয়াকে মনত নিশ্চয় কৰি, শঙ্কৰদেৱক গুৰু মানি সেৱা কৰিলে। মাধৱে হঠাৎ শঙ্কৰক সেৱা কৰিলত শঙ্কৰে ভাবিলে যে মাধৱে বিদায় ল'বৰ মনেৰেহে তেনে কৰিলে। সেইদেখি শঙ্কৰদেৱক মাধৱে দ্বিতীয়বাৰ সেৱা কৰাৰ কাৰণ

---

* "বৃক্ষৰ মূলত যেন দিলে আনি জল।
যোৱন্ত তৃপিতি তাৰ পত্ৰ পুষ্প ফল ।।
ডালে পাতে সিঞ্চে যদি মূলত নেদয়।
কদাচিতো ডালে পাতে তৃপিতি নহয় ।।
ক্ষুধান্তৰ নৰে যদি অন্নক ভুঞ্জয়।
তৃপিতি হোৱন্ত ইন্দ্ৰিয় আতিশয় ।।
ভোজন বিহীনে পিন্ধে বস্ত্ৰ অলঙ্কাৰ।
ইন্দ্ৰিয়ৰ কিছু প্ৰীতি নহয় তাহাৰ ।।
কৃষ্ণক পূজিলে সমস্তৰে পূজা হয়।
পৃথকে পূজিলে পূজা কেহোঁ নলয় ।।"

শঙ্কৰদেৱে তেওঁক সুধিলত মাধৱদেৱে ক'লে "বাপ, আপুনি বৰ ভূঞা বৰ লোক বুলি, আহিয়েই আপোনাক সেৱা কৰিছিলোঁ, এইবাৰ বাদত ভঙ্গ দি আপোনাক গুৰু মানি সেৱা কৰিলোঁ।" এই কথা শুনি শঙ্কৰদেৱে সন্তুষ্ট হৈ তেওঁক আশ্বাস কৰি, বিদায় দি, পিছ দিনা পুৱা ৰামদাসেৰে সৈতে তেওঁক আকৌ আহিবলৈ ক'লে। ইয়াৰ পিছৰ পৰাই মাধৱদেৱে পৰম ভক্তিভাৱে তেওঁৰ গুৰু শঙ্কৰদেৱৰ সেৱা শুশ্ৰূষা কৰি ভাগৱতী ধৰ্ম্ম প্ৰচাৰত শঙ্কৰদেৱৰ তেওঁ পৰম সহায় হ'ল। শঙ্কৰদেৱে মাধৱদেৱক লাভ কৰি পৰম প্ৰেমত আপ্লুত হৈ ক'লে "বঢ়াৰ পো, তোমাক পাই মই সম্পূৰ্ণ হ'লোঁ।

সপ্তম অধ্যায়

নামধৰ্ম্ম প্ৰচাৰ

সোণত সুৰগা স্বৰূপ শঙ্কৰ মাধৱৰ মিলন হ'লত, হৰিকীৰ্ত্তনৰ ধ্বনি ধুৱাহাট বেলগুৰিৰ গগণ লংঘিবলৈ ধৰিলে। কীৰ্ত্তনঘোষা শাস্ত্ৰৰ পদ পূৰ্ণ কৰিবৰ নিমিত্তে শঙ্কৰদেৱে তাতে "প্ৰহ্লাদ চৰিত্ৰ" আৰু "শিশুলীলা" ৰচনা কৰে। তাৰ পিছত তেওঁ তাতে কীৰ্ত্তনৰ "কংসবধ"লৈকে পদ কৰে। ৰামৰাম গুৰু আৰু ৰামদাস, এওঁলোক দুইজনে ওজা আৰু মাধৱদেৱে ডাইনাপালি হৈ কীৰ্ত্তন কৰি হৰি-কথা-ৰসেৰে বেল-গুৰি থান টোৱাই দিবলৈ ধৰিলে। চাৰিউফালৰ পৰা মানুহ আকৃষ্ট হৈ আহি শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্ম ধৰিলেহি। চৰিত্ৰত আছে, এদিন কেতাই খাঁৰ ঘৰাই নিমন্ত্ৰিত হৈ শঙ্কৰদেৱে মাধৱদেৱক প্ৰমুখ্য কৰি ভক্তসকলক লৈ কেতাইখাঁৰ ঘৰত হৰিকীৰ্ত্তন পাতিলে। ৰামৰাম গুৰুৱে কীৰ্ত্তনৰ ওজা হৈ, নতুনকৈ ৰচিত কংসবধৰ পৰা পদ আনি পদ দি থাকোঁতেই, শ্ৰীকৃষ্ণই অগ্ৰজৰে সৈতে কুবলয় হস্তী মাৰি হস্তীদন্ত কান্ধত লৈ কংসৰ ৰঙ্গশালা প্ৰৱেশ কৰা পদ পালতে, ৰামৰাম গুৰু প্ৰেমভাৱত মজি আপোন পাহৰি কৃষ্ণ-ভাৱাপন্ন হৈ হঠাৎ তেওঁ সভাঘৰৰ খুটা এটা দুই হাতেৰে ধৰি উভালি কান্ধত তুলি লৈ লীলাগতি কৰি যাবলৈ ধৰিলে। সভাসদসকলে দেখি অবাক! তেওঁলোক ত্ৰস্ত হৈ উঠি পলাই যাব খোজা দেখি মাধৱদেৱে লৰি গৈ, ৰামৰাম গুৰুক ধৰি তেওঁৰ কান্ধৰ পৰা খুটাটো নমাই দূৰলৈ পেলাই দিলে। খুটাটোৰ তিনি হাত মাটিত পোত আছিল, আৰু তিনিটা মুনিহেও সহজে ধৰি তাক তুলিব নোৱাৰে।

এদিন মাঘ মহীয়া জাৰকালি ৰাতি, ৰামদাসে ওজা হৈ কীৰ্ত্তন কৰি প্ৰহলাদ চৰিত্ৰৰ পদ দি থাকোঁতে প্ৰেমভাৱে তেওঁৰ মন ধৰিলত তেওঁ প্ৰহলাদ-ভাৱাপন্ন হৈ, সভাঘৰৰ মাজত জলি থকা ধমধমীয়া জুইৰ মাজত জাঁপ মাৰি পৰি হৰিৰ নাম সুমৰণ কৰিবলৈ ধৰিলে। সকলোৱে ধৰ ধৰ কৰিবলৈ ধৰিলে। মাধৱে হাতৰ নলিৰা খহাই লৰালৰিকৈ ৰামদাসক জুইৰ পৰা টানি তুলি ঘৰলৈ পঠিয়াই দিলে। আশ্চ-ৰ্য্যৰ বিষয় যে তেওঁৰ শৰীৰত অলপো অগ্নিৰ পীড়া হোৱা নাছিল।

মাধৱদেৱ, মাধৱদেৱৰ বৈনাই ৰামদাস, ৰামৰাম গুৰু, ৰত্নাকৰ কন্দলি, ব্যাসকলাই বাপু আদি ভক্ত-সকলেৰে সৈতে শঙ্কৰদেৱে হৰিকীৰ্ত্তনৰ চলেৰে উজনি-আসাম বুৰাই পেলাইছিল। (১) শঙ্কৰদেৱে ৰত্নাকৰ কন্দলিক (২) প্ৰত্যহ গীতা পাঠ কৰিবলৈ দিয়ে, ব্যাসকলায়ে হৰিধ্বনি কৰি সকলোকে ৰামনাম বোলাই তাৰ অৰ্থ ব্যাখ্যা কৰি দিয়ে।

মাধৱদেৱে শ্ৰীশঙ্কৰদেৱৰ সঙ্গ লাভ কৰাৰ আগ ডোখৰতে, বিবাহ কৰাবৰ ইচ্ছা কৰি এজনী কায়স্থ কন্যাক জোৰণ পিন্ধাই থৈছিল। কিন্তু এতিয়া তেওঁৰ মনৰ পৰিবৰ্ত্তন ঘটিল। গুৰু সেৱা, ধৰ্ম্ম প্ৰচাৰ, কৃষ্ণনাম শ্ৰৱণ কীৰ্ত্তনত তেওঁ আত্মসমৰ্পণ কৰি বৈষয়িক জঞ্জাল আৰু বিষয় সুখলৈ একেবাৰেই পিঠি দিলে। সেইদেখি তেওঁ আৰু বিবাহ নকৰাবলৈ কৃতসঙ্কল্প হ'ল। এদিন তেওঁ গুৰুজনক জনালে "বাপ, আমি জোৰোণৰ কন্যা পৰিত্যাগ কৰি গহনা-পাতি ওভোতাই আনিবলৈ যাব খুজিছোঁ; শ্ৰীচৰণৰ আদেশ পালেই যাব পাৰোঁ।" এই কথা শুনি শঙ্কৰদেৱে ক'লে "তোমাক

(১) "ৰাম ৰাম গুৰু ৰামদাস ওজা দুই। মাধৱে কীৰ্ত্তন কৰে ডাইনা পালি হই॥ গগণমণ্ডল হোৱে কীৰ্ত্তনৰ ধ্বনি। আনন্দ-সাগৰে লোক মজে তাক শুনি॥ স্বভাৱে কীৰ্ত্তনঘোষা পৰম সুন্দৰ। এখনো মিলয় শুনি আনন্দ লোকৰ॥ তাতে আৰো ঈশ্বৰে আপুনি তাল ধৰি। গায়ন্ত মহিমা তাৰ কোনে কৈবে পাৰি॥ আগতে শঙ্কৰদেৱ থাকন্ত সাক্ষাত॥ মিলে জানা আনন্দ অপৰিমিত ভাত॥"—দৈত্যাৰি ঠাকুৰ।

(২) "ৰত্নাকৰ কন্দলি পঢ়ন্ত গীতা অৰ্থ। বিৰাস কলাই নামে জনেক মাহুত॥ তাঙ্ক সম গুণী নাই জাতিত ব্ৰাহ্মণ। শঙ্কৰদেৱত তেহোঁ লৈয়াছে শৰণ॥ দুই চাৰি শ্লোক গৈলে গীতাৰ নিশ্চয়। থিৰ হয়া সিটো সব সভাত কহয়॥ হে সভাসদ লোক থিৰ কৰি মন। শুনা সাৱধানে চটো কৃষ্ণৰ বচন॥ এহি বুলি সিটো সবে লোকক শুনাই। গীতাৰ অৰ্থক কহে সভাত বুজাই। ওপৰক দুই হাত তুলি উচ্চ কৰি। বোলে ঘনে ঘনে সবে বোলা হৰি হৰি॥ সবলোকে ৰোট ৰোট কৰে হৰি নাম। সবাৰো মনত মহা আনন্দ উৎসৱ॥ কতোক্ষণ তৈলে কৰি গীতা সমৰণ। হৰিবে কৰন্ত সবে গৃহক গমন॥"—দৈত্যাৰি।

অলঙ্কাৰ ওভোতাই কিয় দিব ?" মাধৱে উত্তৰ দিলে "শ্ৰীচৰণৰ পদৰজৰ প্ৰসাদত ওভোতাই আনিব পৰা হ'ব।" তেনেকৈ কোৰাত শঙ্কৰদেৱে তেওঁক অনুমতি দিলে। মাধৱে গুৰুবাক্য শিৰোধাৰ্য্য কৰি দুখন ভাৰ তৈয়াৰ কৰাই লৈ কন্যাৰ ঘৰত উপস্থিত হ'লগৈ। ছোৱালীৰ পক্ষৰ লোকে মাধৱদেৱক আদৰ সম্ভাষণ নকৰা আৰু বহিবলৈকো আসন নিদিয়া দেখি, মাধৱে নিজ অভিপ্ৰায় সিদ্ধ হ'ব ভাবি মনত আনন্দ পাই নিজেই খেৰ এমুঠি পাৰি বহি, মিতিৰৰ ঘৰৰ মানুহক সুধিলে "আজি দেখোঁ কথাৰ ভাব অন্য প্ৰকাৰ ? ইমান বেলি ভাৰ নচপোৱাৰ কাৰণ কি ? আমি আজি ভাৰ লৈ বিয়াৰ খবৰ কৰিবলৈ আহিছোঁ। বিয়াৰ পিছত কন্যাক আৰু মোৰ মাতাক লৈ দাদাৰ ওচৰলৈ বাওঁকালে যোৱা হ'ব।'

বিয়াৰ পিছত কন্যাক দূৰ দেশলৈ পঠাব লাগিব, এই কথাত ভয় খাই কন্যাৰ পিতাকে মাধৱদেৱক ক'লে "ইমান দিন তুমি কোনো বুজ-বাজ লবলৈ নহাকৈ আছিলা কিয় ? তোমাক আৰু কন্যা দান কৰিব পৰা নহয়, কন্যা আন ঠাইত দিয়া হ'ল।" এই কথা শুনি মাধৱে মনে মনে আহ্লাদ কৰি আকৌ কন্যাৰ পিতাকক জনালে "এইবোৰ কি কথা। কন্যা দিয়া হওক, আৰু বিবাহৰ দিনও নিৰ্ণয় কৰি দিয়ক।" মাধৱৰ কথাত কন্যাদাতাই আৰু বেছি ভয় পাই ক'লে "ছোৱালী দিব পৰা নহ'ব ; তোমাৰ পাবলগীয়া অলঙ্কাৰ-পাতি আৰু ভাৰ-ভেটীৰ মূল্য যি পাবা তাকে লৈ যোৱাঁ।" এইকথা শুনি মাধৱদেৱে সন্তোষ মনেৰে ভাৰৰ মূল্যৰে সৈতে গহনা ফিৰাই লৈ গুচি আহি গুৰুজনৰ ওচৰ পাই সকলো কথা জনোৱাত শঙ্কৰদেৱে তেওঁৰ বুদ্ধিৰ প্ৰশংসা কৰিবলৈ ধৰিলে।

অষ্টম অধ্যায়

ব্ৰাহ্মণৰ বিদ্বেষ

শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ সময়ত আসামত তান্ত্ৰিক শক্তিপূজা প্ৰচলিত আছিল। হাঁহ, ছাগ, পাৰ, মহ, আনকি মানুহ পৰ্য্যন্ত বলি দি দেৱী গোসানীৰ পূজা কৰা হৈছিল। সম্ভৱতঃ সেই কালতে, কি তাৰ কিছু আগতে ৰচিত হোৱা কালিকাপুৰাণত মানুহ বলিৰ বিষয়ে বিশেষকৈ লেখা আছে। বলি দিবলৈ উপযুক্ত মানুহৰ লক্ষণাদি কেনে হ'ব লাগে, আৰু কেনেকৈ সেই বলি দিব লাগে ইত্যাদি বিষয়ে তাত বহলকৈ বৰ্ণনা কৰা হৈছে। মুছলমানে ভঙা কামাখ্যা মন্দিৰ নৰনাৰায়ণ ৰজাই আকৌ সজাই দি কামাখ্যা প্ৰতিষ্ঠা কৰোঁতে ১৪০টা মানুহ বলি দিয়া হৈছিল। আনকি নৰনাৰায়ণ ৰজাৰ ভতিজাক কোচহাজোৰ ৰজা ৰঘুদেৱে, কালাপাহাৰে ভঙা হাজোৰ হয়গ্ৰীৱ মাধৱৰ মণিকূট নকৈ সজাই প্ৰতিষ্ঠা কৰাওঁতেও অনেক মানুহ বলি দিছিল ; যদিও মন্দিৰৰ ভিতৰত শিলত কাটি লেখি থোৱা বিৱৰণত ৰঘুদেৱ ৰজাক কৃষ্ণভক্ত বুলি উল্লেখ কৰা হৈছে। সেই কালত কামাখ্যাত এক শ্ৰেণীৰ মানুহ আছিল সিহঁত ভোগী নাম দিয়া হৈছিল। এই মানুহবোৰৰ নিজৰ ইচ্ছাতে দেৱীৰ আগত বলি হ'বৰ নিমিত্তে সাজু আছিল। যি দিনাখনৰে পৰা সিহঁতে সিহঁতক দেৱীয়ে বলি ল'বলৈ আদেশ দিছে বুলি প্ৰকাশ কৰিছিল সেই দিনাখনৰে পৰা সিহঁতক লোকে মান্য সৎকাৰ কৰিছিল, আৰু সিহঁতে যি মন যায় তাকে কৰাত কোনেও বাধা দিব নোৱাৰিছিল, আনকি সিহঁতে নিজৰ ইচ্ছামতে যেই কোনো তিৰুতাক সম্ভোগ কৰিবৰ অধিকাৰ পাইছিল। বছৰেকৰ মূৰত দেৱীপূজাৰ সময়ত সেই মানুহবোৰ বলি দিয়া হৈছিল। ভৌতিক বিদ্যা, ঐন্দ্ৰজাল বিদ্যা, মঙ্গল চোওৱা, সুৰাপান, গৰ্ভৱতী তিৰুতাৰ গৰ্ভছিৰি ভ্ৰূণপৰীক্ষা আদি জঘন্য কাৰ্য্যও তান্ত্ৰিকসকলৰ ভিতৰত প্ৰচলিত আছিল। উজনিত সদিয়াৰ ফালে ছুটিয়াবিলাকৰ ভিতৰত কালীপূজা প্ৰচলিত আছিল, সেই কালীক "কেঁচাইখাঁতী গোসাঁনী" বুলিছিল। এই পূজাৰ পুৰোহিত বা পূজাৰীক দেউৰী বোলা হৈছিল। দেউৰীবোৰ বামুণ নহয়, ছুটিয়া। সদিয়াৰ তামৰ দ'লত কেঁচাইখাঁতী গোসাঁনীৰ আগত অসংখ্য নৰবলি দিয়া হৈছিল। ষোড়শ শতিকাৰ আগডোখৰত যেতিয়া আহোমবিলাকে ছুটিয়া ৰাজ্য সম্পূৰ্ণৰূপে জয় কৰি ছুটিয়াবিলাকক নিজৰ তলতীয়া কৰে, তেতিয়া আৰু তাৰ অনেক কালৰ পিছতো ছুটিয়া দেউৰীয়ে সদিয়াৰ দ'লৰ কেঁচাইখাঁতী গোসাঁনীৰ আগত আৰু আন আন গোসাঁনী মূৰ্ত্তিৰ আগত নৰবলি দিয়াৰ প্ৰমাণ পোৱা যায়। বিচাৰত যিবোৰ মানুহৰ প্ৰাণদণ্ডৰ আদেশ হৈছিল, আহোমসকলে সেইবোৰ ডঁৰিত-পৰা মানুহক দেৱী-গোসাঁনীৰ আগত বলি দিবলৈ দিছিল। ডঁৰিত-পৰা মানুহ নাপালে কোনো এক বিশেষ খেলৰ পৰা বলিৰ মানুহ বাছি লোৱা হৈছিল। বলি দিবলৈ আগ কৰা মানুহটোক খুৱাই-বুৱাই চিকুণ কৰি থৈ বলি দিয়া হৈছিল, আৰু বলিৰ আগৰ ডোখৰ কালত সেই মানুহটোৱে তাৰ বিহকে মন যায় নিৰ্ব্বিবাদে তাকে কৰিবলৈ তাক এৰি দিয়া হৈছিল। আগৰ কালত আসামৰ কছাৰী, ত্ৰিপুৰা, কোচ আৰু জয়ন্তীয়া জাতিৰ মানুহৰ ভিতৰতো নৰবলি প্ৰথা প্ৰচলিত আছিল।

শঙ্কৰদেৱে ধৰ্ম্মপ্ৰচাৰ কৰা কাল আৰু তাৰ আগডোখৰতো আসামত তান্ত্ৰিক শক্তি ধৰ্ম্ম যে খুব প্ৰচলিত আছিল, সেইটো ভালকৈ জানিব পাৰি।

তান্ত্ৰিক শাক্ত হিন্দু ধৰ্ম্মই অসভ্য জাতিবোৰৰ জঘন্য ধৰ্ম্ম প্ৰথাৰে সৈতে মিহলি হৈ অধোগতি প্ৰাপ্ত হৈ কালক্ৰমত জঘন্য আকাৰ ধৰিছিল। ব্ৰাহ্মণসকল লোভী অনাচাৰী হৈ বেদবিহিত ব্ৰাহ্মণ্য কৰ্ম্মাদিৰ পৰা ভ্ৰষ্ট হৈ পৰিছিল। সেইদেখি নৰনাৰায়ণ ৰজাই কামাখ্যাৰ মন্দিৰ নতুনকৈ সজাই গোসাঁনী প্ৰতিষ্ঠা কৰি গোসাঁনী পূজাৰ নিমিত্তে বঙ্গদেশৰ পৰা ভাল বামুণ অনাই কামাখ্যাত বহুৱাইছিল। সেইদেখি ইয়াৰ আগৰ কালত, কমতেশ্বৰ দুৰ্লভনাৰায়ণে গৌৰেশ্বৰ ধৰ্ম্মনাৰায়ণৰ পৰা কণৌজৰ কৃষ্ণ পণ্ডিত প্ৰমুখ্যে সাতঘৰ বামুণ আৰু চণ্ডীবৰকে প্ৰমুখ্য কৰি সাত ঘৰ ভাল কায়স্থ অনাই তেওঁৰ ৰাজ্যত পাতিছিল।

শঙ্কৰদেৱে তেওঁৰ পাণ্ডিত্য আৰু বুদ্ধিৰে অপণ্ডিত অথচ হিংসক আৰু দম্ভী ব্ৰাহ্মণসকলৰ দম্ভ অনেকবাৰ নাভাঙি নেৰিছিল। সেইদেখি ব্ৰাহ্মণ-সকল তেওঁৰ মহা শত্ৰু হৈ উঠিছিল। ব্ৰাহ্মণসকলৰ মতে ব্ৰাহ্মণসকলৰহে শাস্ত্ৰ পাঠ আৰু চৰ্চ্চাত অধিকাৰ, শূদ্ৰৰ সেই অধিকাৰ নাই। শঙ্কৰ শূদ্ৰ, সেইদেখি শঙ্কৰৰ ভাগৱত গীতা আদি শাস্ত্ৰ পাঠ আৰু আলোচনা তেওঁলোকৰ মতে অনধিকাৰ চৰ্চ্চা। অথচ তেওঁ-লোকৰ নিজৰ অধিকাৰৰ ভিতৰুৱা শাস্ত্ৰবিষয়ক তৰ্কতে তেওঁলোকক শঙ্কৰে চকুৱাই মাতিব নোৱাৰা কৰিছিল; এনেস্থলত শঙ্কৰ তেওঁলোকৰ চকুৰ কুটা আৰু দাঁতৰ শাল নহৈ কি হ'ব? তাৰ উপৰি সৰ্ব্বসাধাৰণ লোকৰ মাজত তেওঁলোকে বিধি বিধান ধৰ্ম্ম কৰ্ম্মৰ ব্যৱস্থা দি পেটৰ ভাত মোকোলাই খাইছিল; এতিয়া শঙ্কৰে তিৰুতা শূদ্ৰবেও সহজে বুজিব আৰু জানিব পৰাকৈ শাস্ত্ৰৰ গুৰলা ভাঙনি কৰি দি, আৰু সেইবোৰ নাম, গুণ, গীত, পদ, ভটিমা আদিৰে গাই সকলোৰে হাতৰ মুঠিৰ ভিতৰুৱা কৰি দিলে, এনে স্থলত শঙ্কৰ তেওঁলোকৰ পৰম শত্ৰু নোহোৱাটো হে আশ্চৰ্য্য। লৰা শঙ্কৰে পঢ়াশালিত পঢ়োঁতে, অধ্যাপক মহেন্দ্ৰ কন্দলিয়ে শঙ্কৰৰ তীক্ষ্ণ বুদ্ধি আৰু প্ৰভাৱ দেখি শ্ৰদ্ধা কৰি শঙ্কৰক আনবিলাক ছাত্ৰৰ দৰে পঢ়াশালি মচিবলৈ নিদিছিল, আৰু শঙ্কৰ বুলি নামাতি শঙ্কৰদেৱ বুলি মাতিবলৈ ছাত্ৰবোৰক আজ্ঞা দিছিল। বামুণ ছাত্ৰবোৰে সেই কথা সহিব কেনেকৈ? সিইঁতে মহেন্দ্ৰ কন্দলি অধ্যাপকৰ নামে পঢ়াশালিৰ পৰিদৰ্শক বাখৰাচাৰ্য্য পণ্ডিতক গোচৰ দিলে, যে "শূদ্ৰৰ ল'ৰা শঙ্কৰক শঙ্কৰদেৱ বুলি মাতিবলৈ অধ্যাপকদেৱে আমাক হুকুম দিছে।" সেই কালত শূদ্ৰৰ প্ৰতি বামুণৰ বিদ্বেষ পঢ়াশালীয়া কণ কণ ল'ৰাৰ ভিতৰতো কেনে প্ৰবল আছিল এই কথাৰ পৰা ভালকৈ বুজিব পাৰি।

শ্ৰীশঙ্কৰদেৱে ভাগৱতৰ সাৰ কাঢ়ি আনি হৰি-ভক্তি প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰাৰ কালত অনেক লোক শঙ্কৰৰ প্ৰচাৰিত ধৰ্ম্মক ধৰি চলিবলৈ ধৰিলে, তেওঁলোকে ভকতিৰ ৰস পাই পূজা অৰ্চ্চনা আদি ব্ৰাহ্মণৰ কাৰ্য্যত ক্ৰমে ঢিলা দি আহিবলৈ ধৰিলে। সেই নিমিত্তে ব্ৰাহ্মণসকলৰ উপজীৱিকাৰ বাট ক্ৰমে মৰি অহাত ব্ৰাহ্মণসকলে মনত বিৰক্ত পাই ৰজাত জনাই শঙ্কৰৰ মত লোপ কৰিবলৈ কাৰবাৰ লগালে। এদিন আচাৰ্য্য, কন্দলি, মিশ্ৰ, উপাধ্যায়, ভাৰতী উপাধিধাৰী ব্ৰাহ্মণসকল মিল হৈ আহোম ৰজা চুহুংমুং স্বৰ্গদেউৰ চাওঁলৈ গৈ তেওঁলোকে এই বুলি গোচৰ দিলে যে শঙ্কৰ নামে শূদ্ৰ এজনে শ্ৰাদ্ধবিধি বৈদিক কাৰ্য্য ৰহিত কৰি ৰাজ্য নষ্টৰ উপক্ৰম কৰিছে। ৰজাই দূত পঠিয়াই শঙ্কৰদেৱক নিয়াই চাওত তুলিলে। ব্ৰাহ্মণসকলকো নিয়ালে। ৰজাৰ দূতে ৰাজ আজ্ঞা-মতে শঙ্কৰক সুধিলে, 'তুমি বোলে ৰাজ্য নষ্ট কৰিলা'? শঙ্কৰে উত্তৰ দিলে 'কেনেকৈ, কি কৰিয়া কাম কৰি ৰাজ্য নষ্ট কৰিলোঁ, মই একো নাজানো।' ব্ৰাহ্মণসকলক সুধিলত তেওঁলোকে জনালে যে, শঙ্কৰে শ্ৰাদ্ধ নকৰে, আৰু ভকতসকলকো কৰিব নিদিয়ে।' শ্ৰাদ্ধৰ কথা শুনি ৰজাই দুৱৰীয়াক সুধিলে "শ্ৰাদ্ধ কাক বোলে?" দুৱৰীয়াই কলে—"মানুহ মৰিলে দহা আৰু শ্ৰাদ্ধ কৰে। মৰাৰ পৰা দহ দিনত দহা; ত্ৰিশ দিনৰ মূৰত শ্ৰাদ্ধ কৰা হয়। শ্ৰাদ্ধত কাপোৰ, চাউল, কল, ইত্যাদি বস্তু দি মৃতকক ৰবায়; পিছত ব্ৰাহ্মণসকলে সেইবোৰ নি খায় আৰু ব্যৱহাৰ কৰে।" ৰজাই ব্ৰাহ্মণসকলৰ এনে ব্যৱহাৰ শুনি খং কৰি কলে 'মৃতকৰ বস্তু খায়! ইহঁতক চাওৰ পৰা খেদাই দিয়া।। ৰজাৰ আজ্ঞা মাত্ৰকতে ব্ৰাহ্মণসকল ভয় খাই চাওৰ পৰা নামি আহিল। শঙ্কৰক ৰজাই প্ৰশংসা কৰি চাউল চৰু দুগ্ধ ভোজনি উপহাৰ দিলে।

সেই দিনাৰ পৰা ব্ৰাহ্মণসকলৰ মনত শঙ্কৰৰ প্ৰতি আৰু অধিক কক্ষা হ'ল। শূদ্ৰ হৈ শঙ্কৰে ব্ৰাহ্মণক লাঞ্ছনা দিয়ে। প্ৰথম অৱস্থাতে যদি এনে হ'ল ভবিষ্যতলৈ ব্ৰাহ্মণে দেখোন থানকে নোপোৱা হ'ব। এই দৰে তেওঁলোকে ভাবি নানা কুমন্ত্ৰণা কৰি, গাওঁ ফুৰিবলৈ যোৱা ভকতসকলক বহুত লাঞ্ছনা কৰিবলৈ ধৰিলে। কাৰো হাতৰ মালা কাঢ়ি নি কুকুৰৰ নেজত আঁৰে, কাকো দলি মৰ্ মুঠি মাৰি কষ্ট দিয়ে। কোনো কোনোজনক কুকৰ্ম্মী চণ্ডাল বুলি গালি পাৰে। ভকতসকলে ব্ৰাহ্মণৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি গুৰুজনক সবিশেষ বিৱৰণ জনালে। গুৰুজনে এই কথা বুঢ়াখাঁক কলে। তেওঁ শুনি ক'লে,—"অলপতে আমাৰ পিতৃশ্ৰাদ্ধ হ'ব, তালৈ ব্ৰাহ্মণসকলক নিমন্ত্ৰণ কৰা যাব, আপোনাসকল আহি এই কথাৰ মীমাংসা কৰি লব পাৰিব।" সময়ত শ্ৰাদ্ধ পৰিলহি। বুঢ়া খাঁই সকলো ব্ৰাহ্মণক

শ্ৰাদ্ধলৈ নিমন্ত্ৰণ কৰিলে ; শঙ্কৰকো ভকতসকলৰ সহিতে সেই শ্ৰাদ্ধোপলক্ষে মতালে। সকলো ব্ৰাহ্মণ সমাজ পাতি বহিছে, এনেতে শঙ্কৰদেৱ সমূহীয়া ভকত লৈ আড়ম্বৰ কৰি গৈ কমলি পাৰি বহিলে। শঙ্কৰদেৱে সেইদিনা ঘৰৰ পৰা যোৱাৰ সময়ত কৈ গৈছিল, "আজি হয় মালা এৰি আহিম, নহয় ভালকৈ লৈ আহিম।" সমাজ যেতিয়া সম্পূৰ্ণ হ'ল তেতিয়া শঙ্কৰদেৱে ব্ৰহ্মানন্দ আচাৰ্য্যক জিজ্ঞাসা কৰিলে—"আতে, পাতকীৰ কৰ্ম্মত অধিকাৰ আছে নে? অথবা পাতকীয়ে প্ৰায়শ্চিত্ত বা তিলকাঞ্চন দান কৰিলে উদ্ধাৰ হ'ব পাৰে নে?" আচাৰ্য্যই ক'লে, "পাতকীৰ কৰ্ম্মত অধিকাৰ নাই ; প্ৰায়শ্চিত্তই শুদ্ধ কৰিব নোৱাৰে, কেৱল হৰিনামে হে পাতকীক নিস্তাৰ কৰিব পাৰে।" শঙ্কৰে বাৰে বাৰে দঢ়াই দঢ়াই জিজ্ঞাসা কৰাত ব্ৰহ্মানন্দই হৰিনামৰ হে মহিমা ব্যাখ্যা কৰিলে। তাৰ পিছত শঙ্কৰে পুনৰায় প্ৰশ্ন কৰিলে "যদি হৰিনামৰ ইমান মাহাত্ম্য হ'ল, সকলো শাস্ত্ৰই আৰু বেদেও নামকে হে প্ৰশস্ত বুলি ব্যখ্যা কৰে, তেনেহলে যি লোকে নামক নিন্দা কৰে, তাক কি বোলা যায়?" ব্ৰহ্মানন্দই শাস্ত্ৰৰ সন্মত অনুসাৰে ক'লে—"নাম নিন্দকজনক চণ্ডাল অপেক্ষাও হীন বোলা যায়। তাক দেখিলেও পাপ, স্পৰ্শ কৰিলেও পাপ, তাৰ নাম পৰ্য্যন্ত ল'ব নাপায়।" এই দৰে তেওঁ নামৰ অপৰাধীৰ ব্যাখ্যা কৰিলে। শঙ্কৰদেৱে পুনঃ প্ৰশ্ন কৰিলে, "পাতকীৰ বস্তু খাব পায় নে নাপায়?" আচাৰ্য্যই উত্তৰ দিলে "পাপীৰ বস্তু গ্ৰহণ কৰিলে পাপী হ'ব লাগে।" সমাজৰ সকলো ব্ৰাহ্মণে এই বাক্যটি স্বীকাৰ কৰিলে। তেতিয়া শঙ্কৰদেৱে বুঢ়া খাঁক সুধিলে 'তুমি পাপী নে পুণ্যশীল?" তেওঁ উত্তৰ দিলে "আমি সদায় মিছাকথীয়া লোক, কেনেকৈ পুণ্যবান হম? পাতকীকে বুলিব লাগে।" ইয়াৰ পিছত শঙ্কৰদেৱে ব্ৰাহ্মণসকলক সুধিলে "আপোনা-সকলে পাপীৰ বস্তু গ্ৰহণ কৰে নে নকৰে?" উত্তৰ—"পূৰ্ব্বৰ চলিত কথা, বিশেষতঃ দেশীয় প্ৰথা অনুসৰি গ্ৰহণ কৰিব লগীয়া হৈছে ; সময়ত খোৱাও হৈছে।" প্ৰশ্ন—'এতিয়া আপোনাসকলে বুঢ়া খাঁৰ বস্তু খায় নে?" উত্তৰত এই কথা সকলোৱে এক মুখে স্বীকাৰ কৰিলে। শঙ্কৰে সুধিলে 'আচাৰ্য্য-দেৱ আৰু এটি কথা সোধা যাওক,—এজন লোক অশুচি বা ছুৱা গাৱে আছে, তেওঁ নাম ললে কিবা দোষ বা পাপ হ'ব পাৰে নে?' ব্ৰহ্মানন্দই ব্যৱস্থা দেখুৱাই হৰিনামত ছুৱা নাই বুলি প্ৰকাশ কৰিলে। এই কথা শুনি ব্যাসকলাই শৰ্ম্মাই হাত তুলি উচ্চস্বৰে ক'লে 'ব্ৰহ্মানন্দ আচাৰ্য্য কহিলে হেন সাৰ। ৰাম নাম পৰে ধৰ্ম্ম শ্ৰেষ্ঠ নাহি আৰ।' এটাই বাপুসকল হৰিনামৰ শ্ৰেষ্ঠতা দেখি মাথা চপৰাই নিৰুত্তৰ হ'ল। যুক্তিযুক্ত কথাৰে দ্বিজমণ্ডলীক জব্দ কৰি শঙ্কৰদেৱে ক'লে, 'তোমালোক পাপীৰ দ্ৰব্য গ্ৰহণকাৰী, নাম নিন্দকী, বেদ অৱহেলাকাৰী, অনাচাৰী, ছুৱৰ অযোগ্য ; তোমালোকে আমাৰ মালাধাৰী ভকতক নিন্দা কৰা, মালা কাঢ়ি নি নানা লাঞ্ছনা কৰা। যদি গীতা, সহস্ৰনাম, শ্ৰীমদ্ভাগৱত শাস্ত্ৰত মালাৰ ব্যৱস্থা নাই, তেন্তে আমি নিজে মালা পৰিত্যাগ কৰিম। যদি শাস্ত্ৰত আছে, সেই শাস্ত্ৰৰ সাৰ মৰ্ম্ম গ্ৰহণ কৰিব নোৱাৰি মিছাতে লোকক নিন্দাকেহে কৰিবলৈ শিকিছা তেনেহলে কি হ'ব?' এই বুলি শঙ্কৰদেৱে সমুদায় মালা পৰাইত সজাই ব্ৰাহ্মণৰ মাজত স্থাপন কৰিলে। তেওঁলোকে একো উত্তৰ দিব নোৱাৰি নামাতি থাকিল।

শঙ্কৰদেৱে অলৌকিক শক্তি দেখুৱাই বিদ্বেষী ব্ৰাহ্মণসকলক স্তম্ভিত কৰাৰ বিষয়ে আৰু এটা আখ্যান চৰিত্ৰত আছে ;—এদিন বুঢ়া খাঁই জলপান খুৱাবৰ নিমিত্তে ব্ৰাহ্মণসকলক নিমন্ত্ৰণ কৰিছিল। শঙ্কৰদেৱো তেওঁৰ ভক্তসকলেৰে সৈতে নিমন্ত্ৰিত হৈছিল। যেতিয়া তেওঁলোকক চিৰা দুধ আদি খুৱাবলৈ ভিতৰলৈ মাতি লৈ যোৱা হ'ল, তেতিয়া তেওঁলোকৰ আগত দুচৰু ঘন ক্ষীৰ আনি থোৱা হ'লত, শঙ্কৰদেৱে নাহেকৈ মাত লগাই বুঢ়া খাঁক ক'লে "শুনিছানে পেহা, দুচৰু ক্ষীৰৰ এচৰু ঈশ্বৰে ন'ললে ; কাৰণ সেই চৰু অপবিত্ৰ, তাৰ ভিতৰত চুলি আছে।" এই কথা শুনি সকলোৱে আচৰিত মানিলত ক্ষীৰচৰুত চালি দেখা গ'ল যে তাত চুলিৰ গুৰিৰ মাংসৰে সৈতে কেশ এডাল আছে।

এদিন বাৰিষা শঙ্কৰদেৱে ভক্তসকলেৰে সৈতে ব্ৰহ্মপুত্ৰত স্নান কৰিবলৈ গৈছিল। ভৰা ব্ৰহ্মপুত্ৰৰ পানী কেনেকোটোকাৰে খৰতৰ সোঁতে বৈ গৈছিল। শঙ্কৰদেৱে দেখিলে যে ডাঙৰ চন্দন গছ এজোপা পানীত উটি আহিব লাগিছে। তেওঁ তত্তালিকে কঁকালত কাপোৰ বান্ধি নৈত জাপ মাৰি পৰি সাতুৰি গৈ গছজোপাৰ ডালত ধৰিলে। গছজোপা টানি পাৰলৈ আনিবলৈ বুলি তেওঁ আজোৰ ধৰিলত তাৰ ডালটো ভাগি আহিল। তেওঁ তাকে লৈ আহি পাৰ পোৱাই ভকতসকলক তাৰ একোডোখৰ দিলত তেওঁলোক কিমান আৰু আনন্দত অভিভূত হ'ল।

শঙ্কৰদেৱৰ বেলগছ এজোপা ডালপাত শুকাই মৰি গ'লত, তেওঁ গছজোপা কটাই, কেৱোলা নামে বাঢ়ৈ এটাৰ হতুৱাই তাৰে মদন গোপাল নামে বিষ্ণুমূৰ্ত্তি এখন কৰালে। শঙ্কৰদেৱে গা ধোঁওতে কেৱোলাই তেওঁক জুমি চাই যেনে দেখিলে তেনে আহিৰে সেই মূৰ্ত্তিখন কাটি প্ৰস্তুত কৰি দিলত, শঙ্কৰদেৱে বাঢ়ৈক তাৰ কাৰণ সুধিলত বাঢ়ৈয়ে ক'লে "বাপ, যেনে দেখিলোঁ তেনে কৰিলোঁ।" এই কথা শুনি শঙ্কৰদেৱে হাঁহি মনামাতি থাকিল। মূৰ্ত্তিটোৰ প্ৰাণ

প্ৰতিষ্ঠা কৰিবৰ নিমিত্তে তেওঁ ৰামৰাম গুৰুক আদেশ কৰি বই-বস্তু গোটাবলৈ ক'লে। এইকথা শুনি বিপ ব্ৰাহ্মণসকলে নিজৰ ভিতৰতে আলচি মুঠ বান্ধিলে যে "আমি মূৰ্ত্তি প্ৰতিষ্ঠালৈ নাযাওঁ, কাৰণ কাঠৰ মূৰ্ত্তিটো শূদ্ৰৰ বাঢ়েয়ে ভৰি লগাই কাটিছে যেতিয়া সেই মূৰ্ত্তিক আমি ব্ৰাহ্মণ হৈ কেনেকৈ প্ৰদক্ষিণ কৰিম।" এই কথা শুনি শঙ্কৰদেৱে ৰামৰাম গুৰুক মাতি আনি ক'লে—"শুনা ৰামৰাম তুমি কৰা নিমন্ত্ৰণ। প্ৰতিষ্ঠাক লাগি আসিবেক সৰ্ব্বজন॥ আচাৰ্য্য কন্দলি মিশ্ৰ উপাধ্যায় ভাৰতী। কাকো সোণ তোলা আদ তোলা কাকো প্ৰতি॥ ভাস্কৰাদি ব্ৰাহ্মণক এক মসা কৰি। পাট ভুনি কাকো দিবোঁ কম্বল সাদৰি॥ এহি মতে আয়োজন কৰা গুৰু তুমি। বহল কৰিয়া নিৰ্ম্মায়োক গৈয়া ভূমি॥" এই কথা প্ৰচাৰ হ'লত, নাহোঁ বুলি মুঠ বন্ধা ব্ৰাহ্মণ সকলোবোৰ আহি মহা আনন্দেৰে সেই উৎসৱত যোগ দি দক্ষিণা ল'বলৈ ধৰিলে। সেই ব্ৰাহ্মণসকলক দক্ষিণা-পাতি দি, শঙ্কৰদেৱে বিনয় কৰি সুধিলে— "শঙ্কৰে বোলন্ত শুনা মিশ্ৰ আদি কৰি। সমুচিত কথা সোধো কহা দয়া কৰি॥ ঈশ্বৰৰ মূৰ্ত্তি ইতো হয় নুহিকয়। তাঙ্ক সেৱা কৰি গতি পাৱে নপাৱয়॥" এই কথা শুনি ব্ৰাহ্মণসকলে উত্তৰ দিলে—"হেন শুনি কহিলন্ত বিপ্ৰ নিৰন্তৰ। গীতা ভাগৱতে কহি আছন্ত ঈশ্বৰ॥ মৃত্তিকা পাষাণ দেৱ জলো তীৰ্থ হয়। কিন্তু চিৰকালে সেৱি সুকৃতি লভয়॥ দৰশন মাত্ৰে শুদ্ধ কৰে সাধুচয়। দেৱতা তীৰ্থতো কৰি সাধু শ্ৰেষ্ঠ হয়॥" এই উত্তৰ শুনি শঙ্কৰদেৱে আকৌ লাহেকৈ তেওঁলোকক সুধিলে যে সাধু কাক বোলে? তেওঁলোকে উত্তৰ দিলে—"শ্ৰৱণ কীৰ্ত্তন আদি ভকতি কৰয়। তাসম্বাক সাধু বুলি কহে বিপ্ৰচয়॥" এই কথা শুনি শঙ্কৰদেৱে তেওঁলোকক ক'লে যে "যদি দেৱতা আৰু তীৰ্থকো আৰু তীৰ্থতকৈয়ো সাধুক শ্ৰেষ্ঠ বোলা, তেন্তে এনে সাধুক তোমালোকে নিন্দা কৰা কিয়?" ব্ৰাহ্মণ সকলে এইবাৰ স্বীকাৰ কৰিবলৈ বাধ্য হ'ল যে "বেদাদি সকলো শাস্ত্ৰই কয় সাধুক নিন্দা কৰিলে নৰকগামী হ'ব লাগে।" কিন্তু বিদ্বেষী ব্ৰাহ্মণসকলৰ দৰ্পচূৰ কৰি শঙ্কৰদেৱে যিমান তেওঁলোকক জব্দ কৰিছিল, শঙ্কৰদেৱৰ ওপৰত তেওঁলোকৰ অসূয়া সিমান বাঢ়িছিল।

এই ধুৰ্ঁাহাটিত থাকোঁতেই শঙ্কৰদেৱৰ এটি সৰ্ব্বসুলক্ষণীয়া কন্যা জন্ম হয়, তেওঁৰ নাম ৰুক্মিণী। ৰুক্মিণী কন্যা শঙ্কৰদেৱৰ বৰ আদৰৰ আছিল আৰু মাধৱদেৱেও এই কন্যাক নথৈ স্নেহ কৰিছিল।

নৱম অধ্যায়

মাধৱদেৱৰ গুৰুসেৱা

মাধৱদেৱ আহি গুৰুসেৱক আছিল। তেওঁৰ গুৰুসেৱা নিভাঁজ নিৰহ নিপানী। তেওঁ নিতৌ ৰাতিপুৱা মাত্ৰকতে উঠি প্ৰাতঃকৃত্যাদি কৰি সংৰত হৈ লৰালৰিকৈ শঙ্কৰদেৱৰ ঘৰলৈ আহি গুৰুজনৰ নিমিত্তে দাঁতোন, খৰিকা, তেল, পীৰা আদি স্নানৰ সম্ভাৰ যতনাই থৈ, গৈ, নিজে স্নান কৰি আহি, গুৰুজনে স্নান কৰিবলৈ তপত পানী আৰু চুৰিয়া গামোছা দিয়েহি; গুৰুজনে বহি ঈশ্বৰৰ কথা চৰ্চ্চা কৰিবৰ নিমিত্তে কঠ পাৰি দিয়ে; আৰু তাৰ পিচত কীৰ্ত্তন-ঘৰত বহি গুৰুজনেৰে সৈতে নাম প্ৰসঙ্গ কৰে। প্ৰসঙ্গৰ অন্তত গুৰুজন কীৰ্ত্তন-ঘৰৰপৰা ওলাই আহিলে, মাধৱে গুৰুজনৰ ভোজনৰ নিমিত্তে কাঁহী পীৰা আদি যতনাই দিয়ে। ভোজনৰ পিছত আহি বাহিৰত বহিলে, তেখেতক তেওঁ মুখ্‌হদি যোগায়। ইয়াৰ পিছত যেতিয়া গুৰুজন বিশ্ৰামৰ নিমিত্তে শয্যাত পৰে, তেতিয়া তেওঁ গুৰুজনক সেৱা কৰি উঠি নিজে ভোজন কৰিবৰ নিমিত্তে স্বগৃহলৈ যায়। ভোজন কৰি মাধৱে গুৰুজনক শয্যাতে পায়হি। এদিন মাধৱদেৱ এইদৰে আহি বহি আছে, গুৰু-জন শয্যাত; এনেতে শঙ্কৰদেৱৰ নুমলীয়া জীয়েক ৰুক্মিণী দেৱীয়ে মাধৱদেৱক দেখা পাই, পিতৃক এই বুলি তুলিছিল—"উঠিয়োক পিতা তৱ মাধৱ বান্ধৱ। আসি বসি আছে কৰিবাক লাগি সেৱ॥"

জীয়েকৰ এই কথা শুনি শঙ্কৰদেৱে প্ৰেমত আপ্লুত হৈ জীয়েকক মৰম কৰি ক'লে "আই তুমি মাধৱক মোৰ বান্ধৱ বুলি জানিলা; তুমি ধন্য।"- "ধন্য ধন্য আই তুমি দুহিত্ৰী জন্মিলা। মাধৱক জানি তুমি সাৰ্থক লভিলা॥"

শঙ্কৰদেৱ তীৰ্থলৈ যাওঁতে পথত মাধৱে যেনে গুৰুসেৱা কৰিছিল, বিস্ময় মানিব লাগে। প্ৰতি দিন শঙ্কৰদেৱ যি স্থানত নিশা থাকে, তাত মাধৱ-দেৱে ঠাই পৰিষ্কাৰ কৰি আসন বসনৰ আল ধৰে; গুৰুজনাক বিশ্ৰামৰ উপায় কৰি দি বজাৰৰ দ্ৰব্য বস্তু আনি গুৰুৰ ভোজনৰ নিমিত্তে সকলো দিহা কৰি দিয়ে; তাৰ পিছত শয্যা প্ৰস্তুত কৰি দি গুৰুক শয়ন কৰাই গুৰুৰ পাৱত তেল-খাৰণি ঘঁহি দি, গুৰুৰ নিদ্ৰা আহিলে তেতিয়াহে উঠি গৈ নিজে স্নান ভোজন আদি কৰি শয়ন কৰে।

পথত যাওঁতে যাওঁতে এদিন নিশা শঙ্কৰদেৱৰ শৰীৰত শীত লগাত, তেওঁ মাধৱক ক'লে, "তুমি

আমি একত্ৰে শয়ন কৰোঁ আহাঁ।" মাধৱে এই কথা শুনি আচৰিত মানি উত্তৰ দিলে "বাপ, এনে কথা নুবুলিব, মই অধম আপোনাৰ লগত শয়ন কৰিবৰ পাত্ৰ নহওঁ।" গুৰুজনে হাস্য কৰি ক'লে "বাচাৰ পো, তোমাৰ আমাৰ ভিন্নভাৱ নাই; একো সংশয় কৰিব নালাগে।" এইদৰে গুৰুজনে দুই তিনি দিন কোৰাত মাধৱে গুৰুৰ বাক্য পালন কৰিবৰ নিমিত্তে গুৰুৰ শয্যাতকৈ অলপ নামনিত নিজৰ শয্যা পাৰি, কাপোৰ একেজাপ কৰি জাপি লৈ এখন হাত বুকুত আৰু আনখন কাপোৰৰ ওপৰত হৃদয়ৰ সমানে দি, প্ৰতিদিন শয়ন কৰিছিল।

মাধৱৰ উপস্থিত-বুদ্ধি আৰু কাৰ্য্যকুশলতাও অতি বিচক্ষণ আছিল। উপস্থিত বুদ্ধিৰে তেওঁ গুৰু আৰু গুৰুপত্নীৰ ভিতৰত লগা জেঙা সহজে মাৰি দিছিল; আৰু কাৰ্য্যকুশলতাৰ দ্বাৰাই গুৰুৰ অনেক কাৰ্য্য সুন্দৰকৈ উদ্ধাৰ কৰি দিছিল। উদাহৰণ স্বৰূপে এইখিনিতে দুটি ঘটনা উল্লেখ কৰোঁ।—এদিন শঙ্কৰদেৱৰ দাসী চন্দ্ৰীয়ে ধান সিজাই শুকাবলৈ চোতালত মেলি দিছিল। শঙ্কৰদেৱৰ এটা প্ৰমত্ত বৃষভ আছিল, সি লৰি গৈ ধানবোৰ খাবলৈ ধৰিলে। শঙ্কৰদেৱৰ ভাৰ্য্যাই গৰুটো খেদাই, খঙৰ বেগত তাক গালি পাৰিলে "চোৰৰ গৰু! ধানবোৰ চুৰ কৰি খালিহি।" তেওঁৰ স্বামী শঙ্কৰদেৱ মাধৱদেৱৰে সৈতে তাতে আছিল। এই কথাষাৰ শুনি শঙ্কৰদেৱে ক্ৰোধ কৰি ভাৰ্য্যাক ক'লে "তোৰ ইমান সাহ, মোকে চোৰ বুলিলি দেখোন!" মাধৱদেৱে ততালিকে কথাষাৰ মুখপাতি ধৰি বিনয় কৰি প্ৰাৰ্থনা কৰি ক'লে—"বাপ, আইৰ কি দোষ হ'ল, নুবুজিলোঁ। আপুনি গোকুলৰ কথা পাহৰিলে নে কি?" এইকথা শুনি শঙ্কৰদেৱৰ ক্ৰোধ ততালিকে মাৰ গ'ল, আৰু তেওঁ হাস্য কৰি ক'লে, "বাচাৰ পোক কথাৰে কোনেও জিনিব নোৱাৰে।" গুৰুপত্নীক এইদৰে আহুকলীয়া মঙ্গিলৰপৰা সকলোৱাই মাধৱে অবলাক বল দি, দম্পতি কলহটোৰ বিজয় ফলটো কেনেকৈ লুটিয়াই তেওঁৰ ফলীয়া কৰি দিলে চোৱাঁ;—ইয়াৰ পিছতে মাধৱে অতি বিনয় কৰি গুৰুজনক ক'লে—"বাপ, আপোনাৰ শৰীৰত ক্ৰোধ পশিল, সেইদেখি স্নান কৰিব লগীয়া হ'ল।" এই কথা শুনি শঙ্কৰদেৱে উঠি গৈ স্নান কৰিলে।

যোগধাৰী নামে বিল এখনৰ পাৰত শঙ্কৰদেৱৰ আলধৰা ধ্বজাই কিছুমান সৰিয়হ খেতি কৰিছিল। সৰিয়হবোৰ পকিলত ধ্বজাই শঙ্কৰদেৱক জনালে যে সৰিয়হবোৰ তুলি আনিবলৈ বহুত মানুহ লাগে, নতুবা সৰিয়হবোৰ নষ্ট হ'ব। তেতিয়া মানুহ পোৱা মস্কিল হৈছিল দেখি শঙ্কৰদেৱ অলপ চিন্তিত হ'ল। ইয়াৰ পিছদিনা মাধৱদেৱে আহি গুৰুক অলপ চিন্তাযুক্ত দেখি, তাৰ কাৰণটো জানিব পাৰি ক'লে "আপুনি চিন্তা নকৰিব, ইয়াৰ উপায় মই এতিয়াই কৰিম।" এই বুলি মাধৱদেৱে কিছুমান মাহ-প্ৰসাদ প্ৰস্তুত কৰি আৰু গুৱা-পাণ কাটি লৈ গৈ যোগধাৰী বিলৰ পাৰত বহি, ধ্বজাৰ হতুৱাই বৰ বৰ কাঠ অনাই তাতে ডাঙৰকৈ জুই একুৰা ধৰালে। সেই সময়ত যোগধাৰী বিলত মাছ মাৰিবলৈ বহুত মানুহ আহিছিল। মাছ মৰা মানুহবোৰ জাৰত ঠক্ ঠক্ কৰে কঁপিছিল। সিহঁতে সেই ডাঙৰ জুইকুৰা দেখি ওচৰ চাপি আহি জুই পুৱাবলৈ ধৰিলে। মাধৱদেৱে সিহঁতক মাহ-প্ৰসাদ আৰু গুৱা-পাণ দিলত, সিহঁতে খাবলৈ পাই মহা আনন্দ কৰিবলৈ ধৰি মাধৱদেৱক ক'লে "আমি আপোনাৰ কি উপকাৰ কৰিম কওক?" মাধৱদেৱে ক'লে যে "মোৰ আন একো সকাম নাই, কেৱল গুৰুৰ এই সৰিয়হডৰা পকি সৰি নষ্ট হ'ব লগীয়া হৈছে, তোমালোকে যদি অলপ দয়া কৰা তেন্তে সি এতিয়াই উঠে।" এই কথা শুনি তেতিয়াই সকলো প্ৰজাই "উঠহঁক! ধৰ!" বুলি সৰিয়হবোৰ তুলি দি, মাধৱদেৱক ধন্য ধন্য বুলি শলাগি, হৰিধ্বনি কৰি গুচি গ'ল।

মাধৱদেৱে প্ৰতিদিন এইদৰে গুৰুৰ সেৱা কৰি নোখোৱা-নোবোৱাকৈ ঘৰলৈ গুচি যায় দেখি গুৰুপত্নীৰ বৰ দুখ লাগে। এদিন সেইদেখি তেওঁ স্বামীক জনালে "মাধৱে প্ৰতিদিন দুপৰীয়া এইদৰে নোখোৱাকৈ গুচি যায় দেখি মই বৰ দুখ পাওঁ; তেওঁক আপুনি আমাৰ ইয়াতে ভোজন কৰি যাবলৈ ক'ব; মই ক'লে কি জানি নকৰেই।" এই কথা শুনি, কথাৰ ভাও বুজা শঙ্কৰদেৱে ভাৰ্য্যাক ক'লে "বাৰু তুমি কৈছা বুলি এবাৰ কৈ চাম; কিন্তু অলপ খৰ্মখ্ হ'ব যেন পাইছোঁ।" পিছ দিনা মাধৱে গুৰুৰ নিত্য নিয়মিত শুশ্ৰূষাৰ কাৰ্য্যবোৰ কৰি অঁতাই চৰণত পৰি সেৱা কৰি নিজৰ ঠাইলৈ যাবলৈ বিদায় লওঁত, শঙ্কৰদেৱে তেওঁক ক'লে, "বাচাৰ পো, বমানন্দৰ মাৱে কৈছে যে তুমি আমাৰ গৃহত ভোজন কৰি যাব লাগে।" এই কথা শুনি মাধৱে ক'লে "গুৰুপত্নী সাক্ষাৎ লক্ষ্মীআই, তেওঁৰ অন্ন ভোজন কৰিবলৈ বৰ ভাগ্যেৰেহে পোৱা যায়। কিন্তু এটি কথা আছে—মই ঘৰৰ ভিতৰখন এবাৰ চাই ল'ব লাগিব, তেহে প্ৰসাদ ভোজন কৰিব পৰা হ'ব।" শঙ্কৰদেৱে অলপ হাঁহি এই কথাত সম্মতি দিলত, মাধৱদেৱ ঘৰৰ ভিতৰ সোমাল। তেওঁ সোমায়েই দেখিলে যে ঘৰৰ ভিতৰৰ এচুকত পূজাৰ নিমিত্তে গণেশ মূৰ্ত্তিৰে ঘট-পট পতা আছে। মাধৱদেৱে এই কাৰ্য্য দেখি অতি আশ্চৰ্য্য হোৱা যেন দেখুৱাই গুৰুপত্নীক ক'লে "আই, এইটো কি অদ্ভুত।

আপুনি দেখোন ঘট-পট পাতি পূজা কৰে। আপুনি আপোনাৰ স্বামী শঙ্কৰদেৱক কি বুলি বুজিছে ?” গুৰুপত্নীয়ে লাহেকৈ উত্তৰ দিলে “মোৰ ল’ৰা-ছোৱালী কেইটি আছে সিহঁতৰ কেতিয়াবা কিবা বিঘিনি আৰু অমঙ্গল হ’বৰ আশঙ্কা কৰি মই তাতে অলপ পজা সেৱা কৰোঁ।” এই উত্তৰ শুনি মাধৱদেৱে গুৰুপত্নীক কলে “আই, আপোনাৰ স্বামীক আপুনি হাততে পাইও নিচিনিলে ; তেখেতে ঘট-পট প্ৰতিমা আদি আন দেৱী পূজা উঠাই একমাত্ৰ পৰমেশ্বৰৰ নাম-ধৰ্ম্ম প্ৰচাৰ কৰিছে, লক্ষ লক্ষ লোকে তেখেতৰ প্ৰচাৰিত নামধৰ্ম্মক ধৰি, তেখেতক গুৰু বুলি মানি উদ্ধাৰ হৈছে, অথচ আপুনি এনেজনৰ পত্নী হৈ এনে কাম কৰে!” ইত্যাদি প্ৰকাৰে মাধৱদেৱে গুৰুপত্নীক কৈ বুজালত, গুৰুপত্নীয়ে শঙ্কৰদেৱৰ পদত সাষ্টাঙ্গে প্ৰণাম কৰি স্বামীগুৰু শঙ্কৰদেৱক ধৰ্ম্মগুৰুও বুলি স্থিৰ বুদ্ধি কৰি মানিলে ; আৰু সেই মূৰ্ত্তি ঘট-পট গোপাকে মাধৱদেৱে ধৰভাৰ হতুৱাই সেই পিনেই বেৰৰ চুকৰ পোলা কটোৱাই দূৰ কৰাই পেলোৱাই দিয়ালে ; আৰু চৰু-হাৰি পেলোৱাই ঘৰ লিপা-পোচা কৰাই গুৰুপত্নীক গা ধুৱাই তেওঁৰ হতুৱাই নকৈ ভাত ৰন্ধাই হে খালে।

শঙ্কৰদেৱ ধূৱাঁহাটত থাকোঁতেই তেওঁৰ মৰমৰ নুমলীয়া কন্যা ৰুক্মিণী বিবাহযোগ্যা হ’লত শঙ্কৰদেৱৰ পত্নীয়ে স্বামীক ক’লে যে “ছোৱালীটি বিয়া দিবৰ হ’ল। মোৰ বৰ ইচ্ছা যে মাধৱতে কন্যাটি দিওঁ! আপুনি এই কথা মাধৱৰ আগত প্ৰস্তাৱ কৰক ; আপুনি আজ্ঞা কৰিলে তেওঁ নিশ্চয় সম্মত হ’ব।” ভাৰ্য্যাৰ এই কথা শুনি শঙ্কৰদেৱে উত্তৰ দিলে যে “তুমি ক’বলৈ কৈছা, মাধৱ আহিলে তেওঁক বাৰু কম, কিন্তু তেওঁ সম্মত নহব।” ভাটী-বেলা মাধৱ শঙ্কৰদেৱৰ ওচৰলৈ আহিলত, শঙ্কৰদেৱে মাধৱক ক’লে “ব্ৰাহ্মৰ পো, এটি কথা সোধা হ’ব, কৰিবা নে ?” তীক্ষবুদ্ধি মাধৱে ততালিকে সেইটো বুজিব পাৰি উত্তৰ দিলে “বাপ, যিটি ক’ব খুজিছে, সেইটি কৰিবলৈ নক’ব, কৰিব নোৱাৰিম। সেইটিৰ বাহিৰে আপোনাৰ সকলো আজ্ঞা মূৰ পাতি লম।” শঙ্কৰদেৱে ক’লে “গৰ বান্ধি বুজিলে ভাল ; শত্ৰুলৈ ভয় নাথাকে।” মাধৱে অতি বিনয় কৰি উত্তৰ দিলে, “গৰ বান্ধি যুজিলে ৰথী, গৰ নবন্ধাকৈ যুজিলেহে মহাৰথী।” এই বিনয় অথচ তেজী বচন শুনি শঙ্কৰদেৱে ক্ষণকালৰ নিমিত্তে অলপ ক্ষণ্ণ হৈ সুধিলে “তুমি কাৰ বলত এনেকৈ কৈছা ?” উপস্থিতবুদ্ধি সুচতুৰ মাধৱদেৱে আৰু নম্ৰভাৱে উত্তৰ দিলে, “বাপ, আপোনাৰ পদ-ধূলাৰ প্ৰসাদত। শ্ৰীচৰণৰ প্ৰসাদৰ বাহিৰে মোৰ আন বল বীৰ্য্য একো নাই।” এই কথা শুনি শঙ্কৰদেৱে সন্তোষ পাই মাধৱৰ প্ৰতি প্ৰেমভাৱে ক’লে “ব্ৰাহ্মৰ পো, তোমাক যদি আগেয়ে লগ পালোঁহেঁতেন তেনেহ’লে এই গৃহাশ্ৰমৰ ভিতৰলৈ নগলোঁহেঁতেন। তথাপি তোমাক কওঁ যে শেহত ইয়াৰপৰা বাজ হৈ বোৱা হব।”

ইয়াৰ পিছতো গুৰুপত্নীয়ে মাধৱক জোঁৱাই কৰিবৰ আশা এৰা নাছিল। তেওঁ প্ৰায় সৰহভাগ কন্যাৰ-মাকে কৰা বুধিকে ধৰি মাধৱৰ মন কোমলাবৰ মনেৰে ৰুক্মিণীৰ হতুৱাই মাধৱৰ লাচনি-পাচনি কৰোৱাইছিল। মাধৱে সেইটো বুজিব পাৰি, এদিন পদূলি মূৰত কন্যাটিক লগ পাই নিজৰ কান্ধত তুলি লৈ আহি মাকৰ আগত নমাই দিলেহি। সেইদিনাৰপৰা গুৰুপত্নীয়ে মনত অসন্তোষ পাই সেই আশা পৰিত্যাগ কৰিলে।

দশম অধ্যায়

হাৰি জোৱাইৰ মৃত্যু

ধূৱাঁহাটতে শঙ্কৰদেৱে এজন ভাল কায়স্থৰে সৈতে ৰুক্মিণী কন্যাক বিয়া দিলে। কন্যাৰ লগত ভূমি, দাস দাসী আদি নানা যৌতুক দি তেওঁ বিবাহ কাৰ্য্য সম্পাদন কৰিলে। তেওঁৰ প্ৰথম কন্যা মনুও স্বামী হৰিৰে সৈতে শঙ্কৰদেৱৰ লগতে সুখেৰে আছিল। শঙ্কৰদেৱৰ ককাক সূৰ্য্যবৰৰ মাজুভায়েক জয়ন্তা ভূঞাৰ নাতিয়েক সত্যানন্দৰ পুতেক ৰামৰায় অতি বিচক্ষণ আৰু জ্ঞানী লোক আছিল। ৰামৰায় সদায় শঙ্কৰদেৱৰ অনুৰাগী ; কিন্তু সূৰ্য্যবৰৰ তৃতীয় ভায়েক মাধৱৰ পুতেক হাথীয়া দলৈ আৰু হাথীয়াৰ পুতেক ৰতিকান্ত প্ৰভৃতি হিংসা-কুৰীয়া স্বভাৱৰ আছিল ; তেওঁলোকে শঙ্কৰদেৱৰ শ্ৰী সহিব নোৱাৰি চল পালেই বিপক্ষতাচৰণ কৰিছিল। ৰামৰায় শঙ্কৰৰ অনুৰাগী দেখি তেওঁলোকে ৰামৰায়কো হিংসা কৰিছিল। ভূঞাসকলৰ ভিতৰত এইদৰে মতান্তৰ আৰু দন্দ হাই চলি থকাৰ বাবে, তেওঁলোকে মনে মনে ৰজাৰ ঘৰত ৰামৰায়ৰ বিপক্ষে নানা খল লগাবলৈ ধৰিলে। সেই নিমিত্তে এদিন ৰজাৰ আদেশ মতে সন্দিকৈ ৰৰৰুৱাই ৰামৰায়ক ধৰি নিবলৈ দূত পঠিয়ালে। এনে হোৱা দেখি ৰামৰায়ে মহা ত্ৰাস পাই ককায়েক শঙ্কৰদেৱৰ ওচৰলৈ লৰি আহি তেওঁৰ চৰণত দীঘল দি ক’লেহি “ৰজাৰ দূতে মোক ধৰি নিবলৈ আহিছে ; মোৰ কেনেকৈ প্ৰাণ ৰক্ষা হ’ব তাৰ উপায় কৰক। যদি আপোনাৰ প্ৰসাদত এইবাৰ মোৰ প্ৰাণ ৰক্ষা হয়, তেন্তে মই ঘূৰি আহি আপোনাৰ ওচৰত শৰণ লমহি;

আৰু আপোনাৰ চৰণত পূজাৰ দ্ৰব্যবস্তু বহুত দিলোঁহি।" এই কথা শুনি শঙ্কৰদেৱে তেওঁক আশ্বাস দি ক'লে "বোপা তুমি ভয় নকৰিবা ; ৰজাৰ ওচৰৰপৰা তুমি আনন্দ মনেৰে উভতি আহিবা নিশ্চয়।" ৰামৰায় ঠিক শঙ্কৰদেৱে কোৱাৰ দৰেই জয় হৈ আনন্দ মনেৰে ৰজাৰ ওচৰৰপৰা উভতি আহিল, আৰু শঙ্কৰদেৱক তেওঁ সেই সুখবৰ কৈ, তাৰ পিছত শুচি-সংযমন হৈ ব্ৰতে উপবাসে থাকি ভক্তিভাৱ কৰি শঙ্কৰদেৱত শৰণ ল'লে।

হৰি মিশ্ৰ নামে পণ্ডিত ব্ৰাহ্মণ এজন এদিন শঙ্কৰদেৱৰে সৈতে দেখা কৰিবলৈ আহিছিল। ব্ৰাহ্মণে নগুৱা এটা লগত লৈ আহিছিল ; সি ব্ৰাহ্মণে বহিবৰ নিমিত্তে কাঠ এখন লৈ আহিছিল। শঙ্কৰদেৱৰ আগত তেওঁ আসন গ্ৰহণ কৰিলত, তেওঁ কোন, কিয় আহিছে বুলি শঙ্কৰদেৱে তেওঁক সুধিলে। তেওঁ ক'লে "মোৰ নাম হৰি মিশ্ৰ। মই আপোনাক এটি প্ৰশ্ন কৰিবলৈ বুলি আহিছোঁ। আপুনি নানা প্ৰবন্ধ কৰি নাম-ধৰ্ম্ম প্ৰকাশ কৰিব লাগিছে, মাথোন নামকেহে লোকক দিছে। কিন্তু অকল নামেই লোকক তাৰিব পাৰিব নে? প্ৰথমতে মানুহে তীৰ্থ ব্ৰত দান ধ্যান আদি নানাপ্ৰকাৰ পুণ্যৰ কাৰ্য্য কৰি শুদ্ধ হৈ পিছত যে নাম জপিব লাগে, তেহে ভৱসংসাৰ তৰিব পাৰি।" শঙ্কৰদেৱে উত্তৰ কৰিলে "এনেকুৱা নহয়। নামৰ নিমিত্তে আন ধৰ্ম্ম কৰ্ম্মৰ সহায় নালাগে। নাম সকলো ধৰ্ম্ম কৰ্ম্মৰ শিৰোমণি, সকলো শাস্ত্ৰৰ মূল মন্ত্ৰ।" হৰি মিশ্ৰই ক'লে "প্ৰথমতে বহু দান পুণ্য আদি ধৰ্ম্ম কৰ্ম্ম কৰি ললেহে তাৰ পিছত মানুহৰ মুখত নাম আহে। জন্মজন্মান্তৰে যি পুণ্য আচৰণ কৰে, সিহে নাম ল'ব পাৰে।" শঙ্কৰে ক'লে "নাম জপিবলৈ পূৰ্ব্ব পুণ্য নালাগে, ইহজন্মতে যাৰ ওপৰত সন্তৰ কৃপা হয় সিয়েই নাম ল'ব পাৰে।" এই বুলি শঙ্কৰদেৱে তেওঁৰ কথাৰ প্ৰমাণ দেখুৱাবৰ নিমিত্তে হৰি মিশ্ৰৰ কাঠ অনা নগুৱাটোৰ ফালে ক্ষণিক দৃষ্টি কৰি ক'লে, "শুনা হৰি মিশ্ৰ, তোমাৰ যে এই কাঠ ধৰা নগুৱাটো আছে, ইয়াৰ মুখত বহুত নাম আহিব। আজিৰপৰা মই ইয়াৰ নাম জয়ৰাম দিলোঁ ; অহৰ্নিশে ইয়াৰ মুখৰপৰা নাম নুগুচক।"

এই কথাৰ অন্ত হ'লতে হৰি মিশ্ৰই দেখি আচৰিত মানিলে যে তেওঁৰ নগুৱাটোৱে সঁচাসঁচিকৈয়ে তেতিয়াই সৰ্ সৰ্ কৰে ঈশ্বৰৰ নাম ল'বলৈ ধৰিলে। ইয়াৰ পিছত হৰি মিশ্ৰ ঘৰলৈ গ'ল ; কিন্তু তেওঁ দেখি মহা বিস্ময় মানিলে যে বুকুত কুঠাৰ মাৰিলেও ক নোলোৱা আৰু ঈশ্বৰৰ নাম কোনোকালে নোলোৱা মূৰ্খ নগুৱাটোৱে খাওঁতে বহোঁতে উঠোঁতে ফুৰোঁতে, আন কি টোপনিতো ঈশ্বৰৰ নাম ল'বলৈ ধৰিলে।

হৰি মিশ্ৰই ভাবিলে, এই ইমান দিন তীৰ্থ ব্ৰত আদি ধৰ্ম্ম কৰ্ম্ম কৰিলোঁ অথচ মই অধম পামৰ নগুৱাটোৰ মুখৰপৰা একে দিনাই সন্তৰ কৃপাত পৰমেশ্বৰৰ নাম নুগুচা হ'ল। এতেকে মই নিশ্চয় বুজিলোঁ, যে সন্তৰ সঙ্গ শ্ৰেষ্ঠ। ইয়াকে ভাবি পিছদিনা হৰি মিশ্ৰই শঙ্কৰৰ ওচৰলৈ গৈ শৰণ প্ৰাৰ্থনা কৰিলে। তেওঁ বাৰে বাৰে প্ৰাৰ্থনা কৰিলত শঙ্কৰদেৱে শ্ৰীমদ্ভাগৱত শাস্ত্ৰখন আগত স্থাপনা কৰি হৰিমিশ্ৰক শৰণ দিলে।

ভাস্কৰ নামে এজন পৰম পণ্ডিত ব্ৰাহ্মণ আছিল। তেওঁ সততে শঙ্কৰদেৱৰে সৈতে নানান শাস্ত্ৰৰ তৰ্ক কৰিবলৈ ধৰিলে। কোনোমতে তেওঁ শঙ্কৰক তৰ্কত বলে নোৱাৰি ভঙ্গ দি ক'লে, "শুনক গুৰু শ্ৰীমন্ত শঙ্কৰ, মই আকৌ ভালকৈ শাস্ত্ৰ পঢ়িবলৈ যাওঁ। যেতিয়ালৈকে মই আপোনাৰ মত খণ্ডন কৰিব নোৱাৰোঁ, তেতিয়ালৈকে আপুনি প্ৰচাৰ কৰা এই ভক্তিৰ পথকে আশ্ৰয় কৰি চলিম" এই বুলি নবদ্বীপত পঢ়িবলৈ বুলি ভাস্কৰে নাৰেৰে যাত্ৰা কৰিলে।

এইদৰে ওঠৰ বছৰ শঙ্কৰদেৱে মাধৱদেৱৰে সৈতে ধুৱাহাটতে নাম ধৰ্ম্ম প্ৰচাৰ কৰি আছিল। এনেতে আসাম ৰজাই তেওঁৰ হাতীৰ লেখ এহেজাৰ পূৰ্ণ কৰিবৰ মনেৰে, নকৈ আৰু হাতী ধৰিবৰ নিমিত্তে গৰ মৰাই, নানা ঠাইৰপৰা হাতী খেদোৱাই অনাই তাত সুমুৱালে। গৰৰ "দক্ষিণত ব্ৰহ্মপুত্ৰ, উত্তৰে লৌহিত্য। নিযোজিলা পাত্ৰ ভৃত্য যথা নানামত॥ পূৰ্ব্বত দিলন্ত কতো ভূত্যগণ আনি। পশ্চিমত দিলা শঙ্কৰক মহামানী॥" ভূঞাৰ মাজত শিৰোমণি শঙ্কৰক সকলোৰে ওপৰত তত্ত্বাৱধান কৰিবলৈ নিযুক্ত কৰিলে। ৰজাই আদেশ প্ৰচাৰ কৰিলে যে যদি পালী ভাঙি কাৰো ফালে হাতী পলাই যায় তেন্তে সেইজনৰ মূৰ কটা যাব। তিনি দিন তিনি ৰাতি হাতী পালী দি থকাৰ পিছত চতুৰ্থ দিনাৰ মাজৰাতি ঘোপ মৰা এন্ধাৰত যেতিয়া পালী প্ৰহৰীয়াবোৰ ভাৰত ঠেকেঙা লাগিল, তেতিয়া গুণ্ডা হাতী এটাই পূব দি পশ্চিমৰ গৰৰ এঠাইত ভাঙিলে। পালীসকলে জুই ৰাঠি জোং ইত্যাদিৰে কত চেষ্টা কৰিও গুণ্ডাক ৰাখিব নোৱাৰিলে, সি গৰৰ পৰা ওলাই পলাই হাবিত সোমাল গৈ আৰু তাৰ পিছে পিছে কিছুমান হাতীও ওলাই গ'ল। এই আকস্মিক বিপদ দেখি শঙ্কৰে সৈতে ভূঞাসকল লৰালৰিকৈ পলাল। আসাম ৰজাই এই বাতৰি পাই খঙত জ্বলি উঠি ভূঞাঁসকলক আৰু বিশেষকৈ শঙ্কৰদেৱক ধৰি নি দণ্ড কৰিবলৈ হুকুম দিলে। ৰজাৰ চাউদাং দূতসকলে শঙ্কৰদেৱক বিচাৰি আহি ধুৱাহাটত তেওঁৰ ঘৰত ওলালহি। চাউদাংহঁতক দেখি

শঙ্কৰদেৱৰ ঘৰৰ ভিতৰ সোমালত, আঠোটা চাউদাঙে শঙ্কৰদেৱক ধৰিবৰ মনেৰে ঘৰৰ ভিতৰত তেওঁক হাতেৰে বেঢ়া দিলে। শঙ্কৰদেৱে ততালিকে সিহঁতক ঠেলা মাৰি মাটিত পেলাই দি একেচোচাই ঘৰৰপৰা ওলাই গৈ বাৰীত সোমাল গৈ। চাউদাংহঁতে উঠি, তেওঁৰ পিছে পিছে খেদা ধৰিলে। লৰি যাওঁতে বাটত বাইশ হাত বহল মৰি নৈৰ খাল এটা শঙ্কৰদেৱে একে জাঁপেই পাৰ হৈ গ'ল। চাউদাংহঁতে ঘূৰি গৈ খালটো পাৰ হওঁতেই শঙ্কৰদেৱ চকুৰে নেদেখা আঁতৰ হৈ পৰিল। ইয়াৰ পিছত সিহঁতে ভালেমান পৰ বিচাৰি শঙ্কৰদেৱক নৈৰ গৰাৰ তলত দেখি "ধৰ ধৰ" বুলি খেদি গ'ল। শঙ্কৰে এইখিনি সময়তে তেওঁৰ উত্তৰি উলিয়াই আৰু হাতত গীতা শাস্ত্ৰখন লৈ ক'লে যে "তহঁতে মোক কিয় ধৰিব খুজিছ, মই দ্বিজ। চাইঁকচোন মোৰ হাতত পুথি আৰু গাত উত্তৰি আছে।" এই কথা শুনি চাউদাংহঁতে ভালকৈ চাই দেখিলে যে সঁচা, তেওঁ কোনোবা দ্বিজ হে, শঙ্কৰ নহয়। ইয়াকে খিবাং কৰি সিহঁতে তেওঁক তাতে এৰি আন ঠাইত বিচাৰি ফুৰিবলৈ ধৰিলে। শঙ্কৰক সিহঁতে কতো বিচাৰি নাপাই উভতি যাওঁতে, বাটত মাধৱদেৱক আৰু শঙ্কৰৰ জোঁৱায়েক হৰিক দেখা পালে। তেওঁলোক কোন কলৈ যায় বুলি চাউদাংহঁতে তেওঁলোকক সুধিলত, মাধৱদেৱে উত্তৰ দিলে, "আমি শঙ্কৰৰ ভক্ত; তেওঁৰে সৈতে দেখা কৰিবলৈ যাওঁ।" এই কথা শুনি চাউদাংহঁতে তেওঁলোক দুজনকে ধৰি লৈ গ'ল। চাউদাংহঁতে তেওঁলোকক নি প্ৰধান মন্ত্ৰী সন্দিকৈ ৰবৰুৱাৰ আগত থিয় কৰি দিলত, ৰবৰুৱাই তেওঁলোকক সুধিলে, "তোমালোকে কি কৰা? আৰু তোমালোকৰ কোন আছে?" মাধৱদেৱে উত্তৰ দিলে, "আমি শঙ্কৰৰ ভক্ত; নাম-গুণ গাই থাকোঁ। মোৰ কেও নাই।" হৰিয়ে ক'লে তেওঁৰ পৰিবাৰ আছে। সন্দিকৈয়ে তেওঁলোকক ৰজাৰ আগত হাজিৰ কৰি দি ক'লে "শঙ্কৰ পলাল, তেওঁক ধৰিব পৰা নগ'ল, এওঁলোক শঙ্কৰৰ ভকত। এজন বৰাগী, তেওঁৰ কোনো নাই, আনজন গৃহস্থী, তেওঁৰ পৰিবাৰ আছে।" ৰজাই এই কথা শুনি ক'লে, "মই যেতিয়া প্ৰতিজ্ঞা কৰিছোঁ, ইহঁতক এতিয়াই কাটিব লাগিব। কিন্তু যিটো বৰাগী, তাক কাটিলে কি হ'ব, তাক এৰি দিয়াঁ; কাৰণ তাক কাটিলে তাৰ শোকত কান্দিবলৈ কোনো নাই। যিটোক কাটিলে কান্দিবলৈ আছে, তাক কাটা।" ৰজাই মন্ত্ৰীৰে সৈতে এই আলচ কৰোঁতেই মাধৱদেৱে হৰিক ক'লে "মোক যদি আগেয়ে কাটে, তেন্তে তুমি মোক নাম শোঁৱৰাবা আৰু তোমাক আগেয়ে কাটিলে মই তোমাক নাম শোঁৱৰাম।"

এনে সময়তে মন্ত্ৰীয়ে চাউদাঙক ৰজাৰ আদেশ শুনাই ক'লে যে গৃহস্থীজনক কাটিব লাগে, আৰু বৰাগীজনক এৰি দিব লাগে। এই হুকুম শুনি চাউদাঙে হৰিক কাটিবলৈ লৈ গ'ল। বাটত মাধৱে হৰিক ঈশ্বৰৰ চৰণত মন সমৰ্পণ কৰি দৃঢ় কৰিবলৈ উপদেশ দি, এই গীতটি ৰচনা কৰি গাই শুনাই হৰিৰ মন স্থিৰ কৰি দিলে—

"ভয়ো ভাই সাৱধান,
যাৱে নাহি ছুটে প্ৰাণ।
গোবিন্দৰ ফৰমান,
নিকটে মিলাৱে জ্ঞান।
জীৱন যৌৱন ঠোৰ,
সবে মায়াময় চোৰ।
দুঃখ সব কৰা দূৰ,
হৰি পদে মন জুৰ।
ত্যজা সব অভিলাস,
দূৰ কৰা মোহপাশ।
হৰিপদে কৰা আশ,
কহয় মাধৱ দাস।"

এই গীত শুনি হৰিয়ে ঈশ্বৰৰ চৰণত মন একান্তৰূপে নিবিষ্ট কৰি, চাউদাঙক ক'লে "ক্ষন্তেকমান ৰ, মই হাত-বাউলি দিলে কাটিবি।" মাধৱদেৱে নাম সোঁৱৰাবলৈ ধৰিলত হৰিয়ে হাত বাউলি দিলে, আৰু চাউদাঙৰ দাৰ কোবত তেওঁৰ মূৰটো মাটিত পৰিল। চৰিত্ৰত আছে যে কটা মূৰটোৱে ৰাম ৰাম বুলি উফৰি মাধৱদেৱৰ পাৰত পৰিলত মাধৱদেৱে তাক হাতেৰে তুলি ধৰি মাটিত থলে।

চাউদাংহঁতৰ মুখে ৰজাই এই ঘটনা শুনি তেতিয়া হেনো দুখ কৰিছিল—"যদি তহঁতে তেওঁলোকক এনে ভকত মানুহ বুলি জানিছিলি, আগেয়ে মোক কিয় নকলি।"

ইয়াৰ পিছত মাধৱে ভাবিলে যে বিদায় নোপোৱাকৈ গ'লে কিজানি আকৌ ৰজাই তেওঁক ধৰাই নিয়ায়, ইয়াকে ভাবি তেওঁ ৰজাৰ পৰা বিদায় পাবলৈ অপেক্ষা কৰি মেচাগৰৰ পুখুৰীৰ পাৰত জুপুৰি এটি সাজি তাতে থাকি ভিক্ষা কৰি খাই আছিল। এদিন মাধৱে নাম লৈ সেই জুপুৰিত থাকোঁতে ৰজাই সেইফালে ফুৰিবলৈ গৈ, তেওঁক দেখা পাই কোন বুলি সুধিলত, মাধৱে সকলো কথা ক'লত, ৰজাই সন্দিকৈক ক'লে "তুমি কিয় এওঁক বিদায় দিয়া নাই? এওঁক এতিয়াই বস্ত্ৰ টকা চাউল চৰু দি বিদায় দিয়া।" সন্দিকৈয়ে সেইদৰে তেতিয়াই মাধৱক দিয়াত, মাধৱে "টকা বস্ত্ৰত মোৰ কোনো প্ৰয়োজন নাই বুলি" কৈ চাউল চৰু মাত্ৰ লৈ গুচি গ'ল।

ইয়াৰ পিছত মাধৱে নাৱেৰে তিনি দিনৰ মূৰত ধুবঁাহাট পালেগৈ। মাধৱদেৱৰ উভতি অহিবৰ সাতদিনৰ আগৰ পৰা শঙ্কৰদেৱে ভকতসকলৰ দ্বাৰাই কীৰ্ত্তন-ঘৰত পাল-নাম গোৱাই আছিল। * যি দিনা মাধৱ ধুবঁাহাট পালেগৈ সেই দিনাই সপ্তম দিন; শঙ্কৰদেৱে পদূলি-মূৰলৈ আহি বাট চাই আছিল, এনেতে মাধৱদেৱে উপস্থিত হৈ তেওঁৰ চৰণত পৰি প্ৰণাম কৰিলে। শঙ্কৰদেৱে তেওঁক আকোঁৱালি মাৰি ধৰিলে। মাধৱে সকলো বৃত্তান্ত তেওঁক ক'লত, জোৱাঁয়েকৰ কটা শুনি শঙ্কৰদেৱে বিষাদ কৰিবলৈ ধৰিলে। কিন্তু মাধৱক পাই সেই শোক অনেক গুণে কমিল। জীয়েক মনুৱে স্বামীৰ মৃত্যুৰ বাতৰি পাই শোকত বিহ্বল হ'লত শঙ্কৰদেৱে জীয়েকক অনেক বুজাই-বঢ়াই সান্ত্বনা কৰিলে। মাধৱৰ মাক, ভনীয়েক বৈনায়েক শোকত দুখত ব্যাকুল হৈ আছিল দেখি শঙ্কৰদেৱে তেতিয়াই মাধৱক তেওঁলোকৰ ওচৰলৈ পঠিয়াই দিলে।

একাদশ অধ্যায়

অসমৰাজ্য পৰিত্যাগ

জোঁৱায়েক হৰিক কটাৰপৰা শঙ্কৰদেৱৰ মনত বৰ বিষাদ লাগি তেওঁ আহোম ৰজাৰ ৰাজ্য এৰিবলৈ বুলি মনতে স্থিৰ কৰিলে। তেওঁ ক'লে "বনৰীয়া জন্তু বনলৈ পলাই গ'ল, তাক ইমান চেষ্টা কৰিও বান্ধিব পৰা ন'গল, অথচ সেই দোষতে মানুহক প্ৰাণদণ্ড কৰে, এনে অবিবেকী অত্যাচাৰী ৰজাৰ ৰাজ্যত থকাটো যুগুত নহয়।" সেই সময়তে চাৰিজন সন্ন্যাসী শঙ্কৰদেৱৰ ওচৰ ওলালহি। শঙ্কৰদেৱে তেওঁলোকক ধুৱাই-মুৱাই বহুৱাই কথাবাৰ্ত্তা পাতোঁতে সুধিলে, তেওঁলোকে অনেক দেশ দেখিছে, এতেকে কোন ৰজা ভাল? সন্ন্যাসীয়ে ক'লে—"আমি অনেক দেশ দেশান্তৰ ফুৰিছোঁ, আসাম আৰু বেহাৰৰ দুজন ৰজা দেখিলোঁ। আসাম ৰজাৰ কাৰ্য্য দেখি আমি বৰ দুখিত হলোঁহঁক। এদিন আমি আসাম ৰজাৰ সভাত বহি আছোঁ, এনেতে এটা ধাৰীচোৰাই ভাল বিৰা-জবা এটা ৰজাক ভেঁটি দিলেহি। ৰজাই জবাটো খণ্ড খণ্ড কৰি কটাই ৰাজ মন্ত্ৰী-সকলৰ সৈতে খাই বৰ ভাল পাই শলাগিবলৈ ধৰিলে। ৰজাই ক'লে 'এই ধাৰীচোৰাটো বৰ চতুৰ, ই কেনে সুন্দৰ সোৱাদ বিৰা-জবা আজিছে! শুনা মন্ত্ৰী, তুমি এই জবাৰ গুটিবে সৈতে ধাৰীচোৰাক লৈ গৈ মোৰ বোপাইৰ বৈদামত সুমুৱাই দিয়া, সি তাত এনে ভাল জবা আজি মোৰ বোপাইক খাবলৈ দিয়ক।' মন্ত্ৰীয়ে ৰজাৰ আজ্ঞা শিৰোধাৰ্য্য কৰি জবাগুটিবে সৈতে ধাৰীচোৰাক বৈদামত সুমুৱাই দিলে। এনে ৰজাৰ ৰাজ্যত বাস কৰোঁতাৰ মৃত্যু সদায় হাততে।

"আমি আৰু এজন ৰজা দেখিলোঁ, তেওঁ বেহাৰৰ ৰজা; তেওঁৰ নাম নৰনাৰায়ণ। নৰনাৰায়ণ ৰজাই বিস্তৰ টকা ভগণ কৰি প্ৰসিদ্ধ বৈদ্য এজনক মহানাৰায়ণ তেল কৰিবলৈ দিলে। এবছৰ পৰিশ্ৰম আৰু বিস্তৰ টকা ভগণৰ পিছত তেল প্ৰস্তুত হ'লত, দুটা ভাৰীৰ কান্ধত দি তেল ৰজাৰ ঘৰলৈ পঠোৱা হ'ল। বাটত ভাৰী দুটাৰ ভৰি পিছলি তেলৰ মাখিটো মাটিত পৰি ভাগি তেলখোৰ নষ্ট হ'ল। ৰজাই ভাৰী দুটাক 'কিয় তেল নষ্ট কৰিলি' বুলি সুধিলত, ভাৰী দুটাই আঠুকাঢ়ি কৰযোৰ কৰি ক'লে "মহাৰাজ আমাক ক্ষমা কৰক। আমি ছটা ভৰিৰে খোজ কাঢ়ি অতি সাৱধানে তেল আনিছিলোঁ, কিন্তু দৈৱদুৰ্ব্বিপাকত তথাপি পিছলি পৰিলোঁহঁক। লোকে দুটা ভৰিৰে আহে, আমি তিনটা ভৰিৰে আহোঁতেও এনে দুৰ্ঘটনা ঘটিল।' ৰজাই সিহঁতক সুধিলে 'হেৰ ছটা ভৰিৰে আহিবলৈ কেনেকৈ পাইছিলি? তহঁতে মোৰে সৈতে কিবা উপহাস কৰিছ নে কি?' ভাৰী দুটাই কাতুৰ্ব্বাদ কৰি ক'লে 'মহাৰাজ, আমাৰ গাইপতি দুটা দুটা ভৰি, আৰু হাতত একোডাল লাখুটি আছিল, এই ছটাৰে মহা যত্ন কৰি তেলৰ মাখিটো ভাৰ বৈ আনিছিলোঁ। এতেকে মহাৰাজ, বন্দীহঁতক ক্ষমা কৰক।' এই কথা শুনি ৰজাই বিচাৰ কৰি চালে যে হয়, ইহঁতৰ গাত দোষ নাই। ইয়াকে ভাবি তেওঁ ভাৰী দুটাক ক্ষমা কৰি এৰি দি আকৌ নতুনকৈ তেল প্ৰস্তুত বন্দবস্ত কৰিলে। এতেকে ইয়াতে বুজক কোন ৰজা ভাল।' এই কথা শুনি শঙ্কৰদেৱে মাধৱদেৱক কলে "জানা বাপাৰ-পো, যি ৰাজ্যৰ ৰজাৰ গাত অলপো বিচাৰ-শক্তি নাই, যি ৰজা অজ্ঞানী, যি ৰজাই অসাধ্য অযোগ্য কাৰ্য্যত মানুহৰ প্ৰাণবধ কৰে সেই ৰজাৰ ৰাজ্যত থকা উচিত নহয়, এতেকে আমি এই ৰাজ্য এৰি নিশ্চয় বেহাৰ ৰাজ্যলৈ যামহঁক। সকলো সেৱক ভক্ত ভূঞাসকলক নাওদুনি ঠিক কৰি লৈ যাবলৈ প্ৰস্তুত হ'বলৈ কোৱা।"

শঙ্কৰদেৱৰ আজ্ঞাক্ৰমে নৌকাবোৰ প্ৰস্তুত হ'ল, কিন্তু সকলোবোৰ মানুহ যাবলৈ নোজোৰাত কলগছ কাটি কিছুমান ভুৰও বন্ধাই তৈয়াৰ কৰা হ'ল। ভাল দিন বাৰ চোৱাই শঙ্কৰদেৱে সপৰিবাৰে ভকত জ্ঞাতি সকলোৰে সৈতে নাৱত উঠি ভাটীলৈ যাত্ৰা কৰিলে। শঙ্কৰদেৱে এইদৰে ধুবঁাহাট পৰিত্যাগ কৰি গলত তাৰ লোকসকলে হাহাকাৰ কৰি ক্ৰন্দন কৰিবলৈ ধৰিলে। দুজন ভকত খৰি লুৰিবলৈ গৈছিল, তেওঁ-লোকে উভতি অহাত পলম হোৱা বাবে, গুৰুজনৰ নাও নাপালেহি দেখি যাবলৈ নাপাই কান্দিবলৈ

---

* পালনাম গোৱা প্ৰথম এই প্ৰচলন।

ধৰিলে। মাধৱদেৱে বৈনায়েক ৰামদাসে সৈতে এখন নাৱত গৈছিল; তেওঁ ৰামদাসক নাও ৰাখি ভকত দুজনক তুলি লবলৈ কলে। ৰামদাসে কলে "নাৱত সমলি ঠাই নাই, ক'ত তেওঁলোকক তুলি লম?" এই কথা শুনি কৃপালু মাধৱে বৈনায়েকক ক'লে "মোৰ ভাগৰ ঠাই ভকত দুজনক দিছোঁ, তুমি তাতে তুলি নিয়া।" এই বুলি মাধৱদেৱে তেতিয়াই নাও পাৰলৈ চপাই দিয়াই নিজৰ কাপোৰ-কানিৰ জপা দুটা উলিয়াই জপা দুটা নৈত পেলাই দি ঠাই উলিয়াই তাতে ভকত দুজনক তুলি ল'লে। কিছুমান দূৰ ভটীয়াই গৈ মাধৱে, শঙ্কৰদেৱৰ নাও বন্ধা দেখি তাতে নিজৰ নাও বান্ধি গুৰুৰ নিমিত্তে খোলা চৌকা যতনাই আছে, এনেতে তেওঁ দেখিলে যে দুটা জপা উটি আহি তেওঁৰ নাৱৰ গোজত লাগিছেহি। মাধৱদেৱে জপা দুটা ধৰি তুলি অনা দেখি শঙ্কৰদেৱে সেই দুটা কি বুলি মাধৱক সুধিলত, তেতিয়া মাধৱে সকলো বৃত্তান্ত ভাঙি কলে। শঙ্কৰদেৱে মাধৱদেৱৰ এই নিস্বাৰ্থ সাধু ব্যৱহাৰ দেখি তেওঁক প্ৰশংসা কৰি ক'লে "মাধৱ তুমি ধন্য! তুমি হে বাপু ভকতৰ মোল বুজা।"

এইদৰে শঙ্কৰদেৱে ভটীয়াই যাওঁতে যতে গধূলি হয় ততে নাও ৰাখে আৰু মাধৱদেৱেও তাতে নাও ৰাখি গুৰুৰ নিমিত্তে খোলা চিকুণাই ঘৰ সাজি ভোজনৰ সকলো আয়োজন কৰি দি তাৰ পিছত হে নিজৰ ভোজনৰ দিহা কৰে।

এদিন মাধৱদেৱৰ নাও শঙ্কৰদেৱৰ নাৱতকৈ কিছু আগ বাঢ়ি গলত তেওঁ এঠাইত নাও ৰাখি গুৰুৰ নিমিত্তে সকলো আয়োজন কৰি থৈ আছে, কিন্তু ভালেখিনি বেলিৰ মূৰতো শঙ্কৰৰ নাও নোলোৱাহি দেখি মাধৱে নিজৰ খোলাত ৰন্ধনৰ আয়োজন কৰি চাউল বহাই দিলে। ভাত আধাখিনি সিজিছে, এনেতে শঙ্কৰদেৱৰ নাও সেইখিনি পাইও তাত নৰৈ ভটীয়াই যাবৰ দেখি মাধৱদেৱে বিনয় কৰি গুৰুক ক'লে যে "মই আপোনালৈ ইয়াতে খোলা চিকুণাই ঘৰ সাজি আখা পাতি থৈছোঁ, আপুনি বাতি আৰু ক'লৈ যায়?" শঙ্কৰদেৱে উত্তৰ দিলে যে "এইখন ভাল ঠাই নহয়, সেইদেখি ইয়াত নাথাকোঁ।" মাধৱদেৱে ক'লে "ঠাই বৰ ভাল, নাও ৰখাওক।" তথাপি শঙ্কৰদেৱে মাধৱদেৱক পৰীক্ষা কৰিবৰ মনেৰে তাত নাও নৰখাই, আৰু এটা মোচৰ গৈ তাত নাও ৰখালে। মাধৱদেৱে এই কাৰ্য্য দেখি, এধাসিজা ভাতৰ চৰুটো উবুৰিয়াই পেলাই দি নাও মেলি তাৰপৰা গুচি আহি শঙ্কৰদেৱৰ বোৱা ঠাই পালেহি। শঙ্কৰদেৱে মাধৱক দেখি সুধিলে "ইমান শীঘ্ৰে আহিলা দেখোন? ৰন্ধা ভাত কি কৰিলা?" মাধৱদেৱে উত্তৰ দিলে "যত আপুনি নাথাকিল, তাত কি আৰু মই থাকি অন্ন ভোজন কৰিম।" এই কথা শুনি শঙ্কৰদেৱে খেদ কৰি ক'লে যে "মোৰ নিমিত্তেই আজি তোমাৰ ভোজন গুচিল। মই ভাবিছিলোঁ তুমি খাই-বৈ মোৰ লগ ধৰিবাহি।" সেই ৰাতি কিন্তু সেই ঠাইৰ অসুবিধাৰ নিমিত্তে তেওঁলোকৰ ভোজনেই নহ'ল।

ইয়াৰ পিছত তেওঁলোক বৌৰৱা স্মৃতিৰ মুখ পাই তাতে বল। তাৰ পিছত চাউলখোৱা নৈ পাই, সেই সুঁতিয়েদি গৈ টপাৰৰি নামে ঠাই পাই তাতে শঙ্কৰদেৱে বহা ঘৰ আদি সজাই বাস কৰি নামধৰ্ম প্ৰকাশ কৰি বল। কিন্তু আচলতে ঠাইডোখৰ ভাল নাছিল, তাত সকলোৱে জ্বৰ-নবীয়া হবলৈ ধৰিলে আৰু নবীয়াত পৰি মানুহবোৰৰ চুলি পৰি টপা হবলৈ ধৰিলে; অনেক ভকত নৰিয়াত পৰি তাতে মৃত্যু হ'ল। তাতে মাধৱদেৱৰ মাতৃৰো শৰীৰ পৰিল। মাধৱে মাতৃৰ কাঠসংস্কাৰ কৰি দশ পিণ্ড দিলে আৰু তেওঁ মাতৃহীন হৈ শোকাবিষ্ট হলত, শঙ্কৰদেৱে সেই ঠাই পৰিত্যাগ কৰিবৰ নিমিত্তে কৃতসংকল্প হৈ মাধৱক কলে "দেখা আমি আৰু ইয়াত নাথাকোঁ; এই ঠাইত সকলোৱে জৰ নবীয়া হবলৈ ধৰিলে, আৰু মানুহবোৰ শুকাই খীণাই সকলোৱে চুলি সৰি সৰি মূৰবোৰ টপা হল। দেখিছোঁ এই ঠাই টপাৰৰি নহয়, টপলাৰ বাৰীহে, এতেকে আমি শীঘ্ৰে ইয়াৰপৰা যাব লাগে।" এই কথা শুনি ভকতসকল তাৰপৰা উঠি যাবলৈ সাজু হল আৰু তেওঁলোকে শঙ্কৰদেৱৰ সৈতে ভটীয়াই গৈ খোৱানদী পালেগৈ। খোৱা নদীয়েদি গৈ তেওঁলোক ৰাৰাদি পাই তাতে উঠিল। ৰাৰাদিত মাধৱদেৱে ৰামদাস আতাৰে সৈতে খুচাদলৈ নামে এজনৰ নতুন ঘৰ এটি পাই তাতে থাকিল আৰু শঙ্কৰদেৱে চুণপোৱা নামে ঠাইত ভক্তসকলেৰে সতে বহাঘৰ কীৰ্ত্তনঘৰ আদি সজাই নামধৰ্ম্ম প্ৰচাৰ কৰি বল। তাঁতিকুচি আদি নানা ঠাইৰপৰা অনেক লোকে আহি শঙ্কৰদেৱৰ ওচৰত ধৰ্ম্মক ধৰিলেহি।

দ্বাদশ অধ্যায়

ঠাকুৰ-আতা

শঙ্কৰদেৱ চুণপোৱাত থাকোঁতেই এজন শক্তিমন্ত পুৰুষে তেওঁৰ ওচৰত ধৰ্ম্মক ধৰেহি। এই পুৰুষজনৰ নাম ভৱানন্দ বা নাৰায়ণ ঠাকুৰ বা ঠাকুৰ আতা। ভৱানন্দৰ ককাকৰ নাম মণধৰ, বাপেকৰ নাম ধৰ্ম্ম, খুৰাকৰ নাম চৈতন্য। তেওঁলোক কুলত কায়স্থ। চৈতন্য আৰু তেওঁৰ ককায়েক ধৰ্ম্ম একেলগে আছিল। ভৱানন্দই সৰুতে লেখা পঢ়া শিকি

শাস্ত্ৰ পঢ়ি জ্ঞান উপাৰ্জ্জন কৰিছিল। তেওঁৰ যেতিয়া ন-দহ বছৰ বয়স, তেতিয়া তেওঁ গৰু চৰোৱা কাৰ্য্যত প্ৰবিষ্ট হল। ভৱানন্দ বৰ তীক্ষ্ণ বুদ্ধিৰ লৰা আছিল। তেওঁ অচিৰতে গৰখীয়া লৰাবিলাকৰ ভিতৰত মুখিয়াল হৈ পৰিল আৰু লগৰ গৰখীয়া লৰাবিলাকে তেওঁক ৰজাদলৈ উপাধি দি সিহঁতৰ ভিতৰত মুখ্য পাতি তেওঁৰ হাক বচন শুনিবলৈ ধৰিলে। লৰাবিলাকৰ ভিতৰত দন্দ-হাই কাজিয়া-পেচাল ভৱানন্দই এনে সুচাৰুৰূপে ভাঙিবলৈ ধৰিলে যে তেওঁৰ গুণৰ প্ৰভাৱ গ্ৰামবাসী সকলোৰে ভিতৰত প্ৰচাৰ হবলৈ ধৰিলে। গৰখীয়া লৰাৰ মাজত বহি লাহে লাহে গাৱঁৰ ভিতৰৰ মানুহৰ দন্দবো তেওঁ বিচাৰ আৰু শোধ-পোচ কৰিবলৈ ধৰিলে আৰু সেই বিচাৰবোৰ তেওঁ এনে শুৱলাকৈ কৰিছিল, যে গাৱঁৰ সকলো মানুহে তেওঁৰ বৈঠকি চাবলৈ আহিবলৈ ধৰিলে। শেহত গাৱঁৰ ভিতৰৰ যাৰ দণ্ডবাদ কাজিয়া হয় তেওঁলোকে সকলো আহি গৰখীয়া ৰজদলৈ ভৱানন্দৰ আগত গোচৰ দিয়েহি; ভৱানন্দই গৰখীয়া লৰা পাচি দি পদকীয়াক মতাই আনি যথোচিত বিচাৰ কৰি সিদ্ধান্ত কৰে, আৰু সেই সিদ্ধান্ত কোনেও ভাঙিব নোৱাৰে, আনকি সেই গোচৰ ৰজাৰ দৰবাৰলৈ গলেও ভৱানন্দৰ ৰায় বাহাল থাকে। তেওঁৰ এনে বিচক্ষণ কাৰ্য্য দেখি ৰজা প্ৰজা সকলোৱে তেওঁক শলাগিবলৈ ধৰিলে।

এনে সময়তে ভৱানন্দৰ পিতৃ ঢুকাল। ভৱানন্দই খুৰাক চৈতন্যৰে সৈতে গৃহকাৰ্য্য কৰি থাকিবলৈ ধৰিলে। ইয়াৰ কিছুদিনৰ পিছত তেওঁৰ মাকও পৰলোকলৈ গ'ল; আৰু ৰাজ্যত ঘোৰ আকাল হল। এনেকুৱা হোৱা দেখি ভৱানন্দই তেওঁৰ খুৰাকৰ সৈতে পৰামৰ্শ কৰি সেই ঠাই এৰি যাবলৈ থিৰ কৰিলে, আৰু যথাসৰ্ব্বস্ব ভৰা দি নাৱেৰে উজাই আহিল। ব্ৰহ্মপুত্ৰত লাহ বিলাহ নামেৰে দুটা ডাঙৰ পাক আছিল, সেইখিনিত সোঁতৰ বেগ বৰ কোবাল। তেওঁলোক উজাই আহি সেইখিনি পালত, পাকঘূৰণিত পৰি তেওঁলোকৰ নাওখন বস্তু-বস্তু সোপাৰে সৈতে পানীৰ তললৈ গ'ল। খুৰাক ভতিজাক কোনোমতে সাঁতুৰি প্ৰাণ লৈ পাৰত উঠিলহি। তেওঁলোকৰ শৰীৰ একেবাৰেই বিবস্ত্ৰ। ভাগৰত তেওঁলোক গৰাৰ তলত আউজি জিৰাই থাকোতে এজনী তিৰোতা মানুহ সেইপিনে পানী আনিবলৈ আহি তেওঁলোকৰ তেনে দুৰ্দ্দশা দেখি, দুইকো দুখন বস্ত্ৰ দিলত, তেওঁলোকে তাকে পিন্ধি ওপৰলৈ উঠি আহিল। তাৰপৰা লাহে লাহে গৈ তেওঁলোক দুয়ো গাৱঁত সোমাই দেখিলে যে এজোপা গছৰ তলত কিছুমান মানুহে মেল কৰিছে। ভৱানন্দই খুৰাকেৰে সৈতে ওচৰ চাপি গৈ সেইখিনি পালত, দেখিলে যে তাতে তেওঁলোকৰ ধৰম্বা এজন আছে। ধৰম্বাজনে তেওঁলোকক দেখি চিনি পাই আথেবেথে সকলো কথা সুধিলত, তেওঁলোকে নিজৰ দুৰ্দ্দশাৰ বৃত্তান্ত জনাই, ধৰম্বাক কলে যে "তুমি আমাক প্ৰৰৱ্তিবৰ নিমিত্তে অলপ দ্ৰব্য-বস্তু দিয়া, আমাৰ ধাৰৰ টকা সোপাকে তোমাক এৰি দিলোঁ।" এই কথা শুনি ধৰম্বাই সন্তোষ পাই, তেওঁলোকক লোটা বাটি কাপোৰ আনি দিলে, তেওঁলোকে তাকে লৈ কুটুম্ব এঘৰত থাকিলগৈ। দিনদেক কুটুম্বৰ ঘৰত থাকি ভাল নালাগি তেওঁলোকে দিজা নগৰত ঘৰ-বাৰী সাজি থাকিল গৈ। তাতে তেওঁলোকে কিছুমান ছাগলী পুহি বেচি অলপ টকা গোটালে। ভৱানন্দই ভালকৈ পাশা খেলিব জানিছিল, তাতে তেওঁ পাশা খেলি জিকি কিছুমান ধন পালে। ইয়াৰ পিছত ভৱানন্দই তাতে এজনী ছোৱালী বিয়া কৰাই ৰীতিমতে গৃহস্থী হল। লাহে লাহে তেওঁ পাণৰ ব্যৱসায় কৰি চহকী হল। পাণৰ গৰাকীৰ বাৰীৰ পাণ তেওঁ গছত উঠি পাৰি দিয়ে, আৰু গৰাকীয়ে সেইবাবে তেওঁক কিছু পাণ এনেই দিয়ে, সেই পাণকে লৈ তেওঁ ৰজাৰত বেচি ধন পায়। এইদৰে পৰিশ্ৰম কৰি ভৱানন্দই বহুত ধন ঘটিলে। এদিন এজনী পোহাৰীয়ে তাইৰ পোহাৰত বহি বস্তু বেচি থাকোঁতেই উঠি গৈ তাই তাইৰ ঘৰৰপৰা আহিব লগীয়া হোৱাত তাই পোহাৰৰ কাষত ভৱানন্দক দেখা পাই কলে "তুমি দোকানত অলপ পৰ বহাঁ, মই ঘৰৰপৰা আহোঁগৈ। কিনোতা কোনোবা আহিলে বস্তু বেচিবা।" এই কথা শুনি ভৱানন্দ পোহাৰত বহিল আৰু পোহাৰী উঠি তাইৰ ঘৰলৈ গ'ল; পোহাৰত কিছুমান বস্তু বহুত দিন বিক্ৰী নোহোৱাকৈ পৰি আছিল। ঈশ্বৰৰ ইচ্ছাত ভৱানন্দ পোহাৰত বহোঁতে সেই বস্তুবোৰ হৰ্ হৰ্ কৰে বিক্ৰী হবলৈ ধৰিলে। কিছুমান বেলিৰ মূৰত পোহাৰী আহি দেখিলে যে তাইৰ পোহাৰ উদং। তাই ভাবিলে কি কাণ্ড? বস্তুবোৰ কলৈ গ'ল। তাই ভৱানন্দক খং কৰি কলে "এইবোৰ কি কথা? কি ঢং? মোৰ বস্তুবোৰ কলৈ গ'ল?" ভৱানন্দই পোহাৰীৰ বস্তু বেচি পোৱা ছকুৰি টকা লাহেকৈ উলিয়াই পোহাৰীক দিলে। পোহাৰী অবাক! পোহাৰীয়ে বিস্ময় মানি ভৱানন্দক কলে "বাপু তুমি তো শুদা শক্তিৰ মানুহ নোহোৱা। তুমি মোৰ দোকানত আৰু কিছুদিন বহি বস্তু বেচা।" ভৱানন্দই কলে "এনে কাম হব নোৱাৰে। মোৰ ঘৰত খুৰা এজন আছে তালৈ মই এতিয়াই যাব লাগিব।" এই কথা শুনি পোহাৰীয়ে ভৱানন্দক দুকুৰি ৰূপ দি বিদায় দিলে; আৰু তেওঁ তাকে লৈ নিজৰ ঘৰলৈ গ'ল;

কিছুদিনৰ পিছত ভৱানন্দৰ খুৰাক ঢুকাল। খুৰাকৰ শ্ৰাদ্ধাদি কাৰ্য্য কৰি মতাই ভৱানন্দই নাও

এখন কিনি লৈ বেপাৰ কৰিবলৈ লাগিল। বেপাৰ কৰি কৰি লাহে লাহে তেওঁৰ হাতত টকা হলত তেওঁ আৰু নাও কিনি বেপাৰ বঢ়াবলৈ ধৰিলে। শেহত তেওঁ ন-খন নাৱেৰে বেপাৰ কৰি দেশ- দেশান্তৰে ফুৰি ৰৰ সদাগৰ হল। বেপাৰত ফুৰোতে তেওঁ ঘাট ফাট চকী একোকে নামানি, নিজক ৰজাৰ মোমায়েক বুলি পৰিচয় দি, ফাট ভাঙি চানিওফালে অহা যোৱা কৰি ফুৰে। লাহে লাহে ফাটোৱালবোৰে এই কথা ৰজাৰ কাণ চোৱালে যে "ভৱানন্দ নামে সদাগৰ এজনে ফাট ভাঙি চলাচল কৰি ফুৰে, আৰু আমি মাচুল বিচাৰিলে তেওঁ কয় 'মই ৰজাৰ মোমায়েক, তইঁতক কিয় মাচুল দিম?' এই কথা শুনি ৰজাই খং কৰি ভৱানন্দক ধৰাই নিযালে। দূতে ভৱানন্দক ধৰি ৰজাৰ আগত হাজিৰ কৰি দিলত, ৰজাই ক্ৰোধ কৰি তেওঁক শুধিলে "তই কিয় এইদৰে ছল কৰ?" ভৱানন্দই কৰযোৰ কৰি ৰজাক কলে "মহাৰাজ! এটি দৃষ্টান্তৰে ইয়াৰ কাৰণ মহাৰাজৰ চৰণত নিবেদন কৰিব খুজিছোঁ, মহাৰাজে ক্ষমা কৰি আজ্ঞা দিলেই বন্দীয়ে জনাই, জগৰৰ পৰা সাৰিব পাৰোঁ।" ৰজাই এইকথা শুনি কৌতুহলী হৈ আজ্ঞা দিলত, ভৱানন্দই প্ৰথমতে এই শ্লোকটি মাতিলে—

"হীন সেৱা নকৰ্ত্তব্যা, কৰ্ত্তব্যো মহদাশ্ৰয়ঃ।
অজঃ সিংহ প্ৰসাদেন বনে ভ্ৰমতি নিৰ্ভয়ঃ ॥"

শ্লোকটি শুনি দিল্লী নগৰৰ ৰজাই কলে "বাৰু, হৈছে, এতিয়া তোৰ দৃষ্টান্তটো ক।" ভৱানন্দই কবলৈ ধৰিলে—"এজন লোকে দুৰ্গা-পূজাত বলি দিবৰ নিমিত্তে কিছুমান ছাগ আনিছিল। তাৰে ভিতৰৰ এটা ছাগ খোৰা হৈ খোজ কাঢ়িব নোৱাৰি হাবিৰ মাজতে ৰৈ গ'ল। ছাগটো হাবিত সেইদৰে অকলশৰে থকা দেখি তাক খাবলৈ বাঘ ভালুক আদি বনৰীয়া জন্তুবোৰ আহিল। ছাগটোৱে বিপদ উপস্থিত হোৱা দেখি বনৰীয়া জন্তুবোৰক কলে— 'তইঁতে মোক খাব নোৱাৰ, মই সিংহৰ ভাগিন, তেওঁৰ আদেশ মতে আহি মই এই বনত প্ৰৱেশ কৰিছোঁ।' এই কথা শুনি জন্তুবোৰে ভয় খাই ছাগটোক ক'লে 'তেন্তে তুমি আমাক তোমাৰ মোমায়েৰাৰ হাতৰপৰা ৰাখিব পাৰিবা নে?' ছাগে উত্তৰ দিলে 'তইঁতে ভয় নকৰিবি, মই ৰাখিছো বুলি কলে সিংহ মোমায়ে তইঁতক একো নকৰি এৰি গুচি যাব।' এই আশ্বাস পাই পশুবোৰে তেতিয়াৰ পৰা ছাগটোক বেঢ়ি সেৱা-শুশ্ৰূষা কৰি কৰ স্বৰূপে তৃণ ঘাঁহ আনি দিবলৈ ধৰিলে। কিছুমান দিন ছাগটো এইদৰে মহা সুখেৰে থকাৰ পিছত এদিন তাতে সিংহ ওলালহি। জন্তুবোৰে সিংহক দেখি মহা আতঙ্ক পাই, ছাগক কাতুৰ্বাদ কৰি কলে 'সিংহ আহিছে, এতিয়া আপুনি আমাক ৰাখক।' এই কথা শুনি ছাগটোৱে হাতীৰ পিঠিত উঠি গৈ সিংহৰ ওচৰ পাই একে জাঁপেই মাটিত নামি পৰি সকাতৰে সিংহক স্তুতি কৰিলে 'হে মহাৰাজ শুনক! মই ছাগ। বাঘ, ভালুক আদি জন্তুবোৰৰ ভক্ষ্য। কিন্তু মই আপোনাৰ ভাগিন বুলি এটাইকে কৈ ইমানতে জীয়াই আছোঁ। এতেকে মহাৰাজ! আপোনাৰ যি অভিৰুচি হয় তাকে কৰক।' এইকথা শুনি সিংহই সন্তোষ পাই ছাগক কলে—'বাৰু তোৰ কোনো ভয় নাই, মই এই ঠাইত তোক ৰজা পাতিলোঁ।' এই বুলি সিংহই সেই নিঃসহায় খোৰা ছাগটিক নিৰ্ভয় দি ৰাজ্য দি গুচি গ'ল। মহাৰাজ, ময়ো তেনেকৈ আপোনাৰ নাম লৈ বেহা-বেপাৰ কৰি কোনোমতে পেট প্ৰবৰ্ত্তাই ফুৰোঁ। এতেকে মহাৰাজৰ যি অভিৰুচি হয় তাকে কৰক।"এইকথা শুনি দিল্লীৰ ৰজাই আনন্দ পাই, ভৱানন্দক ৰৰ সদাগৰ পাতি আদেশ প্ৰচাৰ কৰি দিলে আৰু ভৱানন্দৰ বঠাৰ নালত ৰূপা চোৱঁৰ লৰাই দিলে।

ইয়াৰ পিছত ভৱানন্দ ৰৰ সদাগৰে বুকু ফুলাই নিৰ্ভয়ে ৰৰ প্ৰতাপেৰে চাৰিওফালে বেপাৰ কৰি ফুৰিবলৈ ধৰিলে। আমি ওপৰত কৈ আহিছোঁ যে ভাস্কৰ গুৰুৱে শঙ্কৰক শাস্ত্ৰৰ তৰ্কত জিকিব নোৱাৰি শঙ্কৰৰ ধৰ্ম্মমত খণ্ডাবৰ ইচ্ছাৰে আকৌ ভালকৈ শাস্ত্ৰ পঢ়িবলৈ বুলি নবদ্বীপলৈ নাৱেৰে ভটীয়াই গৈছিল; আৰু তেওঁ শঙ্কৰক কৈ গৈছিল যে "যেতিয়ালৈকে শাস্ত্ৰৰ তৰ্কেৰে আপোনাৰ মত মই খণ্ডন কৰিব নোৱাৰোঁ, তেতিয়ালৈকে আপোনাৰ প্ৰচাৰিত মততে চলিম।" দৈৱক্ৰমে ভৱানন্দই উজাই আহোঁতে ভাস্কৰ গুৰুক লগ পালে। ভৱানন্দৰ নাও ভাস্কৰ গুৰুৰ নাৱৰ ওচৰতে ৰখা হৈছিল। দুপৰীয়া কায়স্থ ভৱানন্দই ব্ৰহ্মপুত্ৰত স্নান কৰি বাম-তৰ্পণ আদি কৰি ভোজন কৰিবৰ আয়োজন কৰিছে; তেওঁ দেখিলে যে ব্ৰাহ্মণ ভাস্কৰে ব্ৰহ্মপুত্ৰত জোখোৰা নাৰিয়েই, সন্ধ্যা আহ্নিক একো নকৰাকৈয়ে ৰাম ৰাম বুলি ভাত খাবলৈ লাগিল। ব্ৰাহ্মণৰ এনে কাৰ্য্য দেখি ভৱানন্দই আচৰিত মানি ৰুকৰা মাতি ভাস্কৰক কলে "অপৰা বুৰ, চপৰা গৰাহ! মই কায়স্থ হৈ তৰ্পণাদি কৰিহে ভোজন কৰিবলৈ আয়োজন কৰিছো, আৰু তুমি বামুণ হৈ এককো নকৰি চপৰাচপৰে ভাতৰ গৰাহ মাৰিলা?" এই কথা শুনি ভাস্কৰে উত্তৰ দিলে "শুনা ৰৰ সদাগৰ, শ্ৰীমন্ত শঙ্কৰে সেইবোৰ সকলো গুচাইছে, তেওঁ নাম-ধৰ্ম্ম প্ৰচাৰ কৰি এনে মত প্ৰকাশ কৰিছে, যে মাত্ৰ ঈশ্বৰৰ নাম ললেই সকলো ধৰ্ম্ম-কৰ্ম্মৰ ফল পোৱা যায়। সেইদেখি মই ৰামৰ নাম লৈয়েই ভাত খাওঁ। মই শঙ্কৰেৰে সৈতে

বাদ কৰি হাৰিলোঁ। সেই দেখি প্ৰতিজ্ঞা কৰি আহিছোঁ যে যেতিয়ালৈকে শাস্ত্ৰৰ দ্বাৰাই তেওঁৰ মত খণ্ডন কৰিব নোৱাৰো তেতিয়ালৈকে তেওঁৰ প্ৰচাৰিত মত অনুসাৰে চলিম। সেইদেখি মই নৱ-দ্বীপত পঢ়িবলৈ যাবলৈ আহিছোঁ।" এই খবৰ শুনি ভৱানন্দই সন্তোষ পাই ভাস্কৰ গুৰুক, শঙ্কৰদেৱ "ক'ত আছে" সুধিলে। ভাস্কৰে ক'লে, "শঙ্কৰদেৱ আসাম ৰজাৰ ৰাজ্যৰ ধুৱাঁহাট নামে এখন ঠাইত ভক্তিধৰ্ম্ম প্ৰকাশ কৰি আছে। কিন্তু তেওঁ ভাটীলৈ আহিবলৈ ইচ্ছা কৰিছে। এতিয়া কিজানি আহিলেই, নাইবা তাতেই আছে, ভালকৈ কব নোৱাৰো।" ভৱানন্দই এই কথা শুনি তেতিয়াই নাও মেলি দি আহিল, আৰু মানাহৰ সুঁতি এৰি চাউলখোৱা পালেহি, আৰু তাৰপৰা আহি খোৱানদীত সোমালহি। খোৱা-নদীৰ পাৰত দুজন ভকত খাগৰি কাটিবলৈ গৈছিল। তেওঁলোকে শঙ্কৰৰ ভণিতাৰে এই গীতটি গোৱা ভৱানন্দই শুনিবলৈ পালে,—

"নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা।
মেৰি পামৰ মন, মাধৱ ঘনে ঘন, ঘাটুক পাপ নছোৰা ॥
যত জীৱ জঙ্গম, কীট পতঙ্গম, অগণক জগতেৰি কায়া।
সবকহো মাৰি পুৰত উচি উদৰ, নাহি কৰত ভুত দয়া ॥
ঈশ স্বৰূপে হৰি, সব ঘটে বৈঠয়, যৈচন গগন বিয়াপি।
নিন্দা বাদ পৈশুন্য হিংসা, হৰি, তেৰি কৰোঁহো হামুপাপী ॥
কাহু শঙ্কৰে কয়, কৰ কৰুণা নাথ। বো নাচোৰোঁহো ৰাম বাণী।
সব অপৰাধক বাধক তুৱা নাম তাহে শৰণ লহোঁ জানি" ॥

এই গীতৰ ভণিতা শুনি ভৱানন্দই ভাস্কৰৰ কথাৰ ভালকৈ মৰ্ম্ম অৱগাহ কৰি, ভকত দুজনক সুধিলে, "তোমালোকে যাৰ ৰচিত গীত গাইছা, তেওঁ ক'ত আছে?" ভকত দুজনে ক'লে "সেই পুৰুষজন চুণপোৰা বৃক্ষৰ তলত আছে। আপুনি নো তেওঁৰ কথা কিয় সুধিলে?" ভৱানন্দই উত্তৰ দিলে যে "তেওঁৰ কথা শুনি তেওঁক গুৰু লভিবৰ নিমিত্তে বিচাৰি আহিছোঁ।" এই কথা শুনি ভকত দুজনে আনন্দ মনেৰে তেওঁক শঙ্কৰদেৱক দেখুৱাই দিবৰ নিমিত্তে লৈ গ'ল।

সেইদিনা শঙ্কৰদেৱৰ ভোজনৰ নিমিত্তে চাউলৰ অনাটন পৰিছিল। শঙ্কৰদেৱৰ পত্নীয়ে স্বামীক ক'লে "আজি ভোজনৰ চাউল নাই, কিজানি কি হয় ক'ব নোৱাৰো। কিজানি আজি আভকতীয়াৰ চাউলকে ভোজন কৰিবলগীয়া হয়, তাৰ ঠিক নাই।" এনে সময়তে চাউল, লোণ, তেল আদিকে লৈ শঙ্কৰদেৱৰ ওচৰত ভৱানন্দ সদাগৰ উপস্থিত হ'লগৈ। শঙ্কৰ পূবফালে মুখ কৰি বহি আছিল, ভৱানন্দ তেখেতৰ পিঠিৰ ফালৰ পৰা থিয় দিলত, ভৱানন্দৰ ছাঁটো শঙ্কৰদেৱৰ মুখৰ আগত পৰিলহি। ঠিক এনে সময়তে শঙ্কৰদেৱে নাৰায়ণ নাম নাম উচ্চাৰণ কৰিলে। ভৱানন্দই তেওঁৰ আগত চাউল, লোণ থৈ তেওঁক সেৱা কৰিলে। শঙ্কৰদেৱে তেওঁক কোন বুলি সুধিলত, ভৱানন্দই ক'লে "আমাৰ ঘৰ ৰঙৰিগুৰ পৰগনাৰ হালধি-আটী গ্ৰামত। পিতামাতাই মোৰ নাম ভৱানন্দ থলে, ৰজাই মোৰ সদাগৰ নাম দিলে। ভাস্কৰৰ মুখে আপোনাৰ কথা শুনি আপোনাক গুৰু লভিবৰ নিমিত্তে বিচাৰি আহিছিলোঁ; নৈৰ পাৰত দুজন ভকতে আপোনাৰ ভণিতাৰে গীত গোৱা শুনি, মোৰ মনোবাঞ্ছা সিদ্ধি হবৰ আগন্তুক হোৱা দেখি কৃতকৃত্য হৈ তেওঁলোকৰ মুখে সঠিক বাতৰি পাই এইখিনি পালোঁহি।" শঙ্কৰদেৱে ক'লে "ভাস্কৰে পৰোক্ষে তোমাৰ উপকাৰ কৰিলে। শুনা ভৱানন্দ, তুমি আহি মোৰ ওচৰত থিয় দিওঁতে মোৰ মুখত নাৰায়ণ নাম ওলাল, এতেকে আজিৰপৰা তোমাৰ নাম নাৰায়ণ দিলোঁ। মোৰ পৰম বান্ধৱ ভক্ত এজন আছে, তেওঁৰে সৈতে তোমাৰ সখ্য নিৰূপণ কৰিলোঁ।" নাৰায়ণে সুধিলে তেওঁ ক'ত আছে? শঙ্কৰদেৱে ক'লে "তেওঁৰ মাতৃশ্ৰাদ্ধ পৰিছেহি সেইদেখি তালৈ টকা ভঙাই আনি-বলৈ পুৱাই ওলাই গৈছে।" নাৰায়ণ ঠাকুৰে ক'লে "মোৰ নাৱতে টকা ভঙাবলৈ পোৱা যাব, মই নাৱলৈকে যাওঁ, আপুনি কৃপা কৰি তেওঁক তালৈকে পঠিয়াই দিব।" এই বুলি নাৰায়ণ ঠাকুৰ যোৱাৰ পিছত, মাধৱদেৱ আহি শঙ্কৰদেৱৰ ওচৰ পাই, তেওঁ কতো টকা ভঙাবলৈ নাপালে বুলি কলত, শঙ্কৰদেৱে তেওঁক ক'লে যে "এজন প্ৰধান পুৰুষ এতিয়াই মোৰ ওচৰলৈ আহিছিল, তেওঁৰে সৈতে তোমাক সখি কৰি দিলোঁ। তেওঁৰ নাৱতে টকা ভঙাবলৈ পোৱা যাব বুলি তেওঁ কৈছিল; তেওঁ তোমাক অনেক প্ৰাৰ্থনা কৰি মাতি গৈছে তুমি তালৈকে যোৱাঁ। প্ৰাৰ্থকৰ বাঞ্ছা সিদ্ধি কৰিব লাগে।" এই কথা শুনি মাধৱে গুৰুবাক্য শিৰোধাৰ্য্য কৰি নাৰায়ণ ঠাকুৰৰ * নাৱলৈ তেতিয়াই গ'ল। নাৰায়ণ ঠাকুৰে তেওঁৰ নাৱলৈ উভতি গৈ কেতিয়া তেওঁ নতুন সখিক দেখিবলৈ পাব বুলি বাট চাই চাই আছে, এনেতে তাত মাধৱদেৱ উপস্থিত হলগৈ। নাৰায়ণ ঠাকুৰে মাধৱদেৱক প্ৰণাম কৰি আদৰ-সাদৰ কৰি বহুৱাই ঠগিত গুৱা পাণ আগবঢ়াই দিলত, মাধৱদেৱে তেওঁৰ টকা ভঙাৰ নিমিত্তে নাৰায়ণ ঠাকুৰৰ হাতত দিলে। ঠাকুৰ আতাই সেই টকাৰ দুগুণ ভঙাই মাধৱদেৱক দিলত, মাধৱদেৱে আচৰিত হৈ সেই বেছি ভাগ নিবলৈ অস্বীকাৰ কৰিলত, ঠাকুৰ আতাই তেওঁক তাক নিবলৈ প্ৰাৰ্থনা

* নাৰায়ণ ঠাকুৰক সংক্ষেপকৈ "ঠাকুৰ আতা" বোলে।

কৰি কলে, "সখি আপুনি নিয়ক, আপোনাৰ মাতৃ মোৰো মাতৃ, সেইদেখি মাতৃশ্ৰাদ্ধৰ নিমিত্তে মোৰ ভাগো লই দিছোঁ।" এই কথা শুনি মাধৱদেৱে টকা গ্ৰহণ কৰি গৃহলৈ প্ৰত্যাগমন কৰিলে। মাকলীৰ পুতেক ৰাম নামে আলবৰা এজনো মাধৱদেৱৰ সমস্ত খাৰি বন-বাদি কৰিবলৈ ঠাকুৰ আতাই লগাই দিলে। শ্ৰাদ্ধৰ দিনা শঙ্কৰদেৱৰে আদি কৰি সকলো উপস্থিত থাকি সকলো সমাৰোহে শ্ৰাদ্ধ সম্পাদন কৰিলে। ব্ৰাহ্মণসকলে ভৰি ভোজন আৰু দক্ষিণা পালে।

ত্ৰয়োদশ অধ্যায়

কুমাৰকুচি আৰু পাটবাউসী

চুণপোৰাত থাকি শঙ্কৰদেৱে ধৰ্ম্মপ্ৰচাৰ কৰি থাকোঁতে চাৰিউফালৰপৰা অনেক লোক আহি তেওঁৰ প্ৰচাৰিত ধৰ্ম্মত দীক্ষিত হবলৈ ধৰিলে। জয়ন্তিয়াৰ মধাই নামে নিপুণ লোক এজনে ইয়াতে শঙ্কৰদেৱৰ ওচৰত ধৰ্ম্মক ধৰে। শঙ্কৰদেৱে মধাইক নীতি সদাচাৰ শিকাই শৰণ দিলে। বুঢ়াগোপাল নামে সজ লোক এজনেও ইয়াতে শঙ্কৰদেৱৰ ওচৰত শৰণ লয়। মন্দিয়া নামেৰে ঠাইত নাৰায়ণ ঠাকুৰে ঘৰ কৰি আছিল, প্ৰতিদিন তেওঁ মন্দিয়াৰপৰা মাধৱদেৱৰ ওচৰলৈ আহি আৰু তাৰপৰা দুয়ো একেলগে শঙ্কৰদেৱৰ পাশলৈ আহি গুৰুক সেৱা ভক্তি কৰি থাকে।

এইদৰে কিছুমান দিন চুণপোৰাত থকাৰ পিছত দেখা দেখা গ'ল, যে তাত নৈৰ ঘাটত অনেক নাৱৰীয়া মানুহে নাও বান্ধি ঠাই অপৰিষ্কাৰ আৰু অশুচি কৰে। এদিন গুৰুপত্নীয়ে গুৰুজনক এই কথা জনালত, গুৰুজনে মাধৱদেৱৰে সৈতে পৰামৰ্শ কৰি চুণপোৰা পৰিত্যাগ কৰিবলৈ স্থিৰ কৰিলে। এই কথা শুনি জয়ন্তিয়াৰ মধাই আতৈয়ে শঙ্কৰদেৱক কলে, যে কুমাৰকুচি নামে ওখ ভাল ঠাই এডোখৰ আছে, তালৈকে গলে ভাল। কুমাৰকুচিলৈকে যাবলৈ থিৰ কৰি পিছদিনা শঙ্কৰদেৱে ভকতসকলেৰে সৈতে গৈ কটকতলী নামে বিল এখন পাই, তাৰ পাৰৰ গছ এজোপাৰ তলত বিশ্ৰাম কৰি গৈ কুমাৰকুচিত বহা ঘৰ, ভকতৰ হাটী, নামঘৰ আদি সজাবলৈ আজ্ঞা কৰি ঘৰলৈ উভতি আহিল আৰু নাৰায়ণ ঠাকুৰে সেই আজ্ঞামতে মানুহ লৈ গৈ সকলো যুগুত কৰি গুৰু পত্নীৰে সৈতে শঙ্কৰদেৱক আৰু ভকতসকলক তালৈ তুলি নিলে।

কুমাৰকুচিত কিছুদিন শঙ্কৰদেৱে ধৰ্ম্মপ্ৰচাৰ কৰি থকাৰ পিছত দেখা গ'ল, যে তাৰ বিলত গঞা মানুহে সততে মাছ মাৰিবলৈ আহি বিলৰ পানী ঘোলা কৰি থৈ যায়; সেইদেখি পানীৰ অভাৱত গুৰুজন মাজে সময়ে লঘোনে-ভোকে থাকিব লগীয়াত পৰে। এই কথা গুৰুপত্নীয়ে নাৰায়ণ ঠাকুৰক জনালত নাৰায়ণ ঠাকুৰে ভৱানীপুৰৰ গোপাল আতাক কৈ তেওঁৰ হতুৱাই গুৰুজনৰ নিমিত্তে কুমাৰকুচিত এটা পাটকুৱা খন্দাই দিয়ালে।

শঙ্কৰদেৱৰ সময়ত চোৰাতে টীৱা নামৰ মানুহ এঘৰ আছিল। সেই টীৱাৰ আৱাৰ ঘৰখনৰপৰা অপবিত্ৰ মাছ আনি গুৰুজনৰ খেত পেলাইছিল। টীৱাসকলৰ নানাপ্ৰকাৰে দুটাই উৎপাত দেখি সোনাবি শঙ্কৰ-দেৱে মাধৱদেৱ নাৰায়ণ ঠাকুৰ, ৰামদাস আদি ভকতসকলেৰে সৈতে আঠ বছৰ থাকি সেই ঠাই এৰি পাটবাউসীলৈ যাবলৈ থিৰ কৰিলে। আগেয়ে তাত বড়াৰ পাটশাল আছিল দেখি তাক পাটবাউসী বোলে। শঙ্কৰদেৱৰ অনুগ্ৰহে সেৱকসকলে হাবি বন কাটি পাটবাউসীত চাৰি বাটী নামঘৰ মণিকূট সাজি প্ৰস্তুত কৰিলত শঙ্কৰদেৱে তাত সত্ৰ পাতিলে।

মাধৱ বাৰাদিত থাকে, তাৰপৰা পাটবাউসীলৈ বহুত দূৰ। ইমান দূৰৰপৰা তেওঁ দিনো গুৰুসেৱা কৰিবলৈ আহোঁতে তেওঁৰ বৰ কষ্ট হয়, সেইদেখি শঙ্কৰদেৱে এডোলা সোণ দি এজন গণকৰপৰা বাৰী এখন কিনি তাত ঘৰ সজাই মাধৱক থাকিবলৈ দিলে।

কীৰ্ত্তনঘোষাৰ শেষ ছোৱা তেতিয়ালৈকে ৰচনা কৰিবলৈ বাকী আছিল। পাটবাউসীতে শঙ্কৰদেৱে সেই ছোৱা ৰচনা কৰি কীৰ্ত্তনঘোষা সমাপ্ত কৰে। ইয়াৰ পিছত তাতে শঙ্কৰদেৱে শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ প্ৰথম, দ্বিতীয়, তৃতীয়, সপ্তম, অষ্টম, দশম স্কন্ধৰ ভাঙনি কৰি পদ আৰু বলি-ছলনৰ পদ কৰে। কুৰুক্ষেত্ৰ, নিমি-নৱসিদ্ধ, ৰুক্মিণীহৰণ, ভকতি-প্ৰদীপ পুথিও পাটবাউসীতে শঙ্কৰদেৱে ৰচনা কৰে। পাট-বাউসীতে তেওঁ ভাগৱতৰ একাদশ স্কন্ধ আৰু দ্বাদশ স্কন্ধৰো পদ-ভাঙনি কৰে। তেওঁৰ কালীদমন আদি নাটবোৰ আৰু আন আন গীত ভটীমা বহুত পাটবাউ-সীতে ৰচিত হয়। বেদ বেদান্ত গীতা ভাগৱতৰ পৰা সাৰ উদ্ধাৰ কৰি মূল সংস্কৃত ৰত্নাকৰ নামে পুথিখনো তাতে শঙ্কৰদেৱে ৰচনা কৰে।

এইবিলাক পুথি ৰচনা কৰাৰ পিছত শঙ্কৰদেৱে এদিন মাধৱদেৱক কলে—"বাপ পো, তুমি গ্ৰন্থ এখন ৰচনা কৰা, তাত ব্ৰহ্মা আদি কৰি স্থাৱৰ পৰ্য্যন্ত সকলোকে ঠাই দিবা, আৰু মোকো এচুকত ৰাখিবা।" মাধৱদেৱে গুৰুবাক্য শিৰোধাৰ্য্য কৰি এনে শাস্ত্ৰ এখন পিছত ৰচনা কৰিছিল; আৰু এইখনেই অমূল্য গ্ৰন্থ শাস্ত্ৰশিৰোমণি বোলা যায়।

অদ্বিতীয় ধৰ্মবীৰ অদ্বিতীয় কৰ্মবীৰ মহাপুৰুষ শঙ্কৰদেৱে এইদৰে এখনৰ পিছত এখনকৈ অমূল্য গ্ৰন্থৰাজি ৰচনাকৈ উলিয়া দেখি আচৰিত মানি এদিন কৰ্মকুশল মহাভক্ত নাৰায়ণ ঠাকুৰে সখিয়েক মাধৱদেৱক সুধিলে "সখি, গুৰুজন দেখোঁ সদায় সকলো সময়তে কৃষ্ণকথা আলাপন শ্ৰৱণ কীৰ্ত্তনত নিমগন থাকে, তেখেতে নো শাস্ত্ৰ ৰচনা কৰিবলৈ কেতিয়া সময় পায়। আপুনি জানে যদি মোক কব পাৰে নে?" এই কথা শুনি মাধৱদেৱে হাঁহি উত্তৰ দিলে "গুৰুজনে কেতিয়া কেনেকৈ শাস্ত্ৰ লিখে, তুমি এদিন ৰাতি গৈ নিজে চাবাগৈ।" নাৰায়ণ ঠাকুৰে সেইদিনা তেওঁৰ ঘৰলৈ নগৈ ৰাতি শঙ্কৰদেৱৰ পাশলৈ গৈ কীৰ্ত্তন ঘৰৰ বাৰৰ জলঙাইদি জুমি চাই দেখিলে যে কীৰ্ত্তনঘৰৰ দুৱাৰ জপাই বন্ধ কৰি লৈ তাৰ ভিতৰত শঙ্কৰদেৱে বহি অদ্ভুত শক্তি প্ৰকাশ কৰি পুথি লেখিব লাগিছে। নাৰায়ণ ঠাকুৰে জুমি থাকোঁতেই শঙ্কৰদেৱে গম পাই মাত লগালে "নাৰায়ণ, ভিতৰলৈ আহঁা।"

নাৰায়ণ ঠাকুৰ হঠাৎ অপ্ৰস্তুত হৈ কীৰ্ত্তন ঘৰৰ ভিতৰ সোমাই শঙ্কৰদেৱৰ চৰণত পৰি প্ৰণাম কৰিলত শঙ্কৰদেৱে তেওঁক মধুৰ ভাৱে সম্বোধন কৰি কলে "সাক্ষাতে নাৰ্চি তুমি কিয় জুমি চাইছিলা?" এই বুলি শঙ্কৰদেৱে তেওঁক সাদৰ কৰি চাৰিখন তামোল দিলে, তেওঁ গদগদ হৈ শঙ্কৰদেৱৰ চৰণত পৰি সেৱা কৰি ক্ষমা প্ৰাৰ্থনা কৰি ওলাই আহি, মাধৱদেৱৰ ওচৰ পাই মাধৱৰ হাতত তামোল চাৰিখন দি সখিয়েকক সকলো বৃত্তান্ত জনালে। তাৰে দুখন আকৌ মাধৱে নাৰায়ণক দিলত নাৰায়ণে গুৰুজনৰ প্ৰসাদ বুলি অতি হৰিষ মনেৰে খাই সেই ৰাতি তাতে শুই থাকি পিছ দিনা পুৱাহে নিজৰ ঘৰ পাইছেহি।

মাধৱদেৱৰ ভাগিনীয়েক উৰ্ব্বশীৰ এটি পুত্ৰ সন্তান জন্ম হ'ল। ভাগিনীয়েকে অশৌচৰ অন্তত পানী কেচুৱা লৰাটি কোলাতকৈ আনি কান্দি কান্দি মাধৱদেৱক কলে "মোৰ লৰাটি নোহোৱাহেঁতেনেই ভাল আছিল, এই বংশত পূৰ্ব্বে ঋষিৰ শাপ আছে, এতিয়া ই কিজানি জীয়াই নাথাকেই।" এই কথা শুনি মাধৱদেৱে ৰামদাসক, কি ঋষিৰ শাপ বুলি সুধিলত ৰামদাসে তেওঁক কলে 'আমাৰ উপৰি পুৰুষ এজনক ঋষিয়ে ক্ৰোধ কৰি-শাপ দিছিল যে 'তোৰ কোনো সন্তান নাথাকিব।' এই শাওপাত শুনি তেওঁ ঋষিক কাতুৰ্ব্বাদ কৰি শাপ মোচনৰ প্ৰাৰ্থনা কৰিলত ঋষিয়ে কলে 'যাক তোৰপৰা সপ্তম পুৰুষৰ পিছৰপৰাহে তোৰ বংশৰ সন্তান নাথাকিব।' এতিয়া মোতে সেই সপ্তম পুৰুষৰ ওৰ পৰিছে।" এইকথা শুনি মাধৱদেৱে ভাগিন ৰামচৰণক তাৰ মাকৰ হাতৰপৰা আনি নিজৰ কোলাত লৈ ভনীয়েকক কলে "আই, তই কোনো চিন্তা নকৰিবি, তোৰ পুতেৰক মোক দান কৰ। ঋষিৰ শাপত মোৰ বংশ হে উছন হব, ৰামদাসৰ বংশ কেঞ্চাৱন বঢ়াদি বাঢ়িব।" এই বুলি মাধৱদেৱে ভাগিন ৰামচৰণক আশীৰ্ব্বাদ কৰি তাক মাকৰ হাতত দিলে।

চতুৰ্দ্দশ অধ্যায়

পাটবাউসী

জনিয়াত ঠাকুৰ আতা থাকে। তেওঁ দিনো তাৰপৰা আহি মাধৱদেৱৰ লগত শঙ্কৰদেৱৰ ওচৰলৈ আহি গুৰু সেৱা আদি কাৰ্য্য কৰি, ৰাতি মাধৱদেৱক নিজৰ ঘৰত থৈ জনিয়ালৈ যায়। এদিন একাদশীৰ দিনা পুৱাই মাধৱে স্নান কৰি নাম প্ৰসঙ্গ কৰি অঁতাই ঈশ্বৰক সমপণ কৰি দিয়া নৈবেদ্য প্ৰসাদ অলপ খাই, তাৰ পিছত শঙ্কৰদেৱৰ ওচৰলৈ আহিল। শঙ্কৰদেৱে মাধৱৰ মুখ অলপ টুপ্‌টুপীয়া দেখি তেওঁক সুধিলে 'আজি তুমি একাদশীতে কিবা ভোজন কৰিলা নে কি?' মাধৱদেৱে কি ভোজন কৰিছিল কলত শঙ্কৰদেৱে বিৰক্তি প্ৰকাশ কৰি তেওঁক কলে 'তুমি একাদশীৰ দিনা কিয় অন্ন ভুঞ্জিলা?" এইকথা শুনি মাধৱদেৱে সবিনয়ে গুৰুৰ আগত নিবেদন কৰিলে "বাপ হয়, একাদশীৰ দিনা একো ভোজন কৰা উচিত নহয়, কিন্তু তথাপি কওঁ যে কলিৰ লোকৰ অল্প শক্তি, কিছু ভোজন নকৰিলে অলপতে শৰীৰ বিকল হয়। গতিকে ঈশ্বৰৰ নাম প্ৰসঙ্গ কৰিবলৈ ভক্ত হীনবল হয়। সকলো ধৰ্ম্মৰ শিৰোমণি নাম-ধৰ্ম্ম, ব্ৰত উপবাসৰ পৰা নামৰ বিধিনি হয়।' মাধৱদেৱৰ এই যুক্তি সাৰগৰ্ভ দেখি শঙ্কৰদেৱে আৰু একো নকলে।

এদিন শঙ্কৰদেৱে নাৰত উঠি যাওঁতে চণ্ডাল এটাই কৃষ্ণ নাম উচ্চাৰণ কৰা শুনি চণ্ডালটোক তেওঁ ধন্য ধন্য বুলি প্ৰশংসা কৰিবলৈ ধৰিলে। শঙ্কৰদেৱে কলে যে দ্বাদশগুণীয়া ব্ৰাহ্মণ এই চণ্ডালৰ সমান নহয়, তেওঁতকৈও ই উত্তম। আৰু কিছুমান বাট যাওঁতে শঙ্কৰদেৱে শুনিলে, এটা গৰখীয়াই গৰু চৰাওঁতে কৃষ্ণ কৃষ্ণ উচ্চাৰণ কৰিছে। তাৰ মুখত কৃষ্ণনাম শুনা মাত্ৰকে তেওঁ নাও ৰখালে, আৰু প্ৰেমত তেওঁৰ চকুৰেদি লোতক ব'বলৈ ধৰিলে। তেওঁ "কিনো বিচক্ষণ এই লৰাটো" এই বুলি তাক প্ৰশংসি আনন্দ মনেৰে আকৌ নাও মেলি গৈ, ঠাই চাই জুবি আকৌ পাটবাউসীত সোমালহি।

চান্দসাই নামে এক মুছলমান দৰ্জ্জিয়ে শঙ্কৰদেৱক জোলা এটা সী দিছিল। জোলা কৰিবলৈ

বাওঁতে দজিয়ে শঙ্কৰদেৱৰ মহিমা আৰু মহিয়সী শক্তি দেখি শঙ্কৰদেৱক গুৰু মানি ভক্তি আৰু সেৱা কৰিবলৈ ধৰিলে।

বাৰাদিৰ বুঢ়া দলৈ নামে এজনে এদিন তেওঁৰ ঘৰত নাম কীৰ্ত্তন কৰাবলৈ বুলি, আগদিনা আহি মাধৱদেৱক নিমন্ত্ৰণ কৰিলে। পিছদিনা পুৱা মাধৱে স্নান কাৰ্য্যাদি কৰি শঙ্কৰদেৱক সেৱা কৰি কলে "বুঢ়া দলৈয়ে আজি তেওঁৰ ঘৰত নাম কীৰ্ত্তন কৰিবলৈ মোক নিমন্ত্ৰণ কৰিছে, মই বাৰাদলৈ যাওঁ।" শঙ্কৰদেৱে কলে "বাৰু যোৱা, কিন্তু তাত অলপ সাৱধান হবা।" মাধৱে চাৰিজন ভকত লগত লৈ বাৰাদিলৈ গৈ বুঢ়া দলৈৰ ঘৰত নাম কীৰ্ত্তন কৰি ঘঁতাই উভতি আহিছে, বাটতে বুঢ়া দলৈৰ ভায়েকে মাধৱদেৱক আগভেটি ধৰি গালি পাৰিবলৈ ধৰি'ল আৰু মাৰিবলৈ খেদি গ'ল। সি বোলে— "আজি তই কলৈ পলাবি, কেনেকৈ সাৰিবি চাম। তই মোৰ ককাইক নষ্ট কৰিলি।" মাধৱে তাৰ কথাৰ একো উত্তৰ নিদি থিয় হৈ ৰল। তেনে দেখি দলৈৰ ভায়েকৰ গালি তিৰস্কাৰ আৰু চৰিলহে; কিন্তু মাধৱ অচল, অটল, "নিবাত নিষ্কম্প তৰুবৰ।" ইমান গালি-শপনিৰ পিছতো মাধৱৰ নিৰ্ব্বিকাৰ আৰু প্ৰশান্ত মূৰ্ত্তি দেখি সি আচৰিত মানিলে। সি তেতিয়া বিমৰিষ কৰি চালে যে "মই ইমান তিৰস্কাৰ কৰিলোঁ ইমান অপমান কৰিলোঁ, তথাপি এওঁ এষাৰ কথা মোক নকলে। এওঁ নিশ্চয় পৰম মহন্ত। এওঁৰ মন্দ কৰি মই নিজেহে পাপ আৰ্জ্জিলোঁ। এনেজন মহন্তক কুবাক্য বুলি মই হে তললৈ গলোঁ।" ইয়াকে ভাবি দলৈৰ ভায়েকে তেতিয়াই মাধৱদেৱৰ চৰণত দণ্ডৱৎ হৈ পৰি দোষৰ ক্ষমা মাগিলে। মাধৱদেৱে তাৰ প্ৰতি প্ৰসন্ন হৈ তাৰ দোষ ক্ষমা কৰিলত দুয়ো দুফালে গ'ল। ইফালে যেতিয়াই মাধৱদেৱক দলৈৰ ভায়েকে আগচি ধৰি গালি পাৰি মাৰিবলৈ গৈছিল, তেতিয়াই লগৰ ভকত এজনে লৰি আহি সেই খবৰ শঙ্কৰদেৱক দিলত, শঙ্কৰদেৱে মহা ক্ৰোধ কৰি বহুত ভকত লগত লৈ খেদি গ'ল। তেওঁ বাটতে মাধৱক পাই ব্যস্তভাৱে সেই ঘটনাৰ কথা সুধিলত, মাধৱদেৱে গুৰুৰ চৰণত পৰি সেৱা কৰি কলে "বাপ, আপোনাৰ চৰণৰ প্ৰসাদত কোনো বিঘিনি নোহোৱাকৈ আহিলোঁ।" এই কথা শুনি শঙ্কৰদেৱে সন্তোষ পাই মাধৱেৰে সৈতে গৃহলৈ উভতি আহিল।

মাধৱদেৱৰ আলধৰা মাৰুলীৰ পুতেক ৰাম গণককুচিত মাধৱদেৱৰ বহা বধীয়া হৈ থাকে; মাধৱদেৱে প্ৰতিদিনে ভাৰপৰা শঙ্কৰদেৱৰ ওচৰলৈ আহোঁতে কেতিয়াবা অকলৈ আহিবলগীয়াতো পৰে। এদিন মাধৱদেৱ অকলৈ আহোঁতে বাটতে তেওঁক এটা মহে খুচিবলৈ খেদি আহিছিল। মহটোৱে খেদি অহা দেখি মাধৱদেৱে নিৰ্ভয়ে আস্তে থিয় দি ৰল দেখি, মহটো সচকিত হৈ দবি গৈ লাহে লাহে ভাৰপৰা আঁতৰি গুচি গ'ল; তাৰ পিছত মাধৱদেৱেও লাহে লাহে ভাৰপৰা আঁতৰি আহিল। সেইদিনা অহাত পলম হোৱাত শঙ্কৰদেৱে কিয় আজি পলম হল বুলি মাধৱক সুধিলত মাধৱে সেই মহৰ বৃত্তান্ত কলে। এইকথা শুনি শঙ্কৰদেৱে নাৰায়ণ ঠাকুৰক আজ্ঞা দিলে যে মাধৱৰ সেৱা শুশ্ৰূষা কৰিবলৈ দিনৌ লগত আহিবলৈ এজন আলধৰা তেওঁক যেন বিচাৰি আনি দিয়া হয়। কাৰ্য্যকুশল নাৰায়ণে তেতিয়াই মানুহ এজন বিচাৰি গৈ শ্ৰীৰাম নামেৰে এজন লোকে ধাননিত ধান দাই থকা দেখি, তেওঁক আনিলে, শ্ৰীৰামেও আনন্দিত মনেৰে আহিল। এই শ্ৰীৰামেই ইয়াৰ পিছৰপৰা শঙ্কৰ মাধৱৰ অকপট নিস্বাৰ্থ নিৰ্ব্বিকাৰ নিস্পৃহ মহাভক্ত শ্ৰীৰাম আতা যাৰ নিৰহ-নিপানী গুৰুসেৱা আৰু সংসাৰত নিৰ্লিপ্তভাৱে সকলোকে আশ্চৰ্য্যান্বিত কৰিছিল:

ব্যাস কলাই বাপু আৰু তেওঁৰ পুতেক এই দুয়ো-জন শঙ্কৰদেৱৰ সেৱক, দুয়ো শঙ্কৰদেৱৰ ওচৰত শৰণ লোৱা। দেশত বসন্ত পীড়াৰ প্ৰকোপ হৈ ব্যাস কলাইৰ পুতেক সেই ব্যাধিত পৰিলত, দেৱী উপাসক বিপ্ৰসকলে ব্যাস কলাইক বুধি দিলে যে শীতলাৰ পূজা কৰিব লাগে, শীতলাৰ পূজা কৰিলে পুত্ৰ নমৰে। ব্যাসকলায়ে সেই কথামতে শীতলাৰ পূজা কৰিলে। বৰং পুতেকে বাপেকক মাক দিছিল, তথাপি বাপেকে সেই নিষেধো নুশুনিলে। এই কথা শুনি শঙ্কৰদেৱে তেওঁৰ শৰণ খৰি তেওঁক বৰ্জ্জন কৰি এৰিলে। ব্যাসকলাইৰ পুতেক কিন্তু সেই নৰীয়াতে মৰিল। ইয়াৰ পিচত ব্যাসকলায়ে কাতৰ কৰি ৰাম-ৰায়ক ধৰিলে যাতে শঙ্কৰদেৱে তেওঁৰ দোষ মৰিষণ কৰে। দ্বিজৰ দুখ দেখি ৰামৰায়ে ছকুৰি টকা দণ্ড শঙ্কৰ-দেৱৰ আগত থৈ ব্যাসকলাইৰ হকে প্ৰাৰ্থনা কৰিলত, শঙ্কৰদেৱে ব্যাসকলাইক ক্ষমা কৰা দূৰত থাকক ৰামৰায়কে বৰ্জ্জন কৰিলে। ছমাহৰ মূৰতহে মাধৱদেৱৰ প্ৰাৰ্থনাত ৰামৰায়ৰ শৰণ ভাগিছে। শঙ্কৰদেৱৰ অব্যাভিচাৰী এক-শৰণ ধৰ্ম্মৰ মূলত আঘাত পৰাত তেওঁ ব্যভিচাৰীৰ প্ৰতি কেনে কঠোৰ ভাৱে শাসনদণ্ড হাতত লৈছিল, এই ঘটনাই তাৰ জাজ্বল্য উদাহৰণ।

ব্ৰাহ্মণ গৱমলি এজন পৰম দেৱীপূজক আছিল। তেওঁ নানা প্ৰকাৰে দেৱীৰ পূজা কৰি যথাসৰ্ব্বস্ব দেৱীৰ পূজাৰ অৰ্থে ব্যয় কৰি শেহত অন্নচিন্তাত অভিভূত হৈ নিজৰ হাতেৰে নিজৰ বুকু চিৰি ৰক্ত পৰ্য্যন্ত দেৱীৰ আগত সমৰ্পণ কৰিছিল। তথাপি তেওঁ শান্তি নাপাই, ৰোগ দুখ আৰু শৰীৰৰ ক্ষত যন্ত্ৰণাত অত্যন্ত কষ্ট পাই প্ৰাণ পৰিত্যাগ কৰিবৰ

সিৰিত্তে বাজ আনিব কাষত মূৰ্চ্ছিত হৈ পৰি আছিল। সেই ঘাটেই দিনৌ মাধৱদেৱ শংকৰদেৱৰ ওচৰলৈ যায়। সেই হৃদয়বিদাৰক অৱস্থাত চট্ফট্ আৰু কাও-বাও কৰি থকা মানুহজনক মাধৱদেৱে দেখি মধুৰ বাক্যেৰে তেওঁক সান্ত্বনা কৰি তেওঁৰ ক্ষত স্থানবোৰ ধুৱাই-পখলাই তাত ঔষধ আৰু তুলা দি, তেওঁক ক্ষুদ্ৰ দেৱদেৱীক পৰিত্যাগ কৰি শংকৰদেৱৰ ওচৰলৈ গৈ কৃষ্ণৰ চৰণত শৰণ লবলৈ কলে। ব্ৰাহ্মণে তাকে নিশ্চয় কৰি সাৰোগত কৰি ললত, মাধৱদেৱে তেওঁক স্নান কৰাই, তেওঁৰ ঘাত নিজ হাতে তুলা আৰু তেল দি তেওঁক শংকৰদেৱৰ ওচৰলৈ গৈ গলত, শংকৰক তেওঁ গুৰু মানি মন স্থিৰ কৰিলত শংকৰদেৱে তেওঁক এক ঈশ্বৰত শৰণ দিলে। তেতিয়াৰে পৰা ব্ৰাহ্মণে মানসিক আৰু শাৰীৰিক ব্যাধিৰ হাত এৰাই নিৰুজ হৈ শান্তি লাভ কৰিলে।

সাতজনী বুঢ়ী ভকতনীয়ে নিতৌ তাঁতীকুঁচিৰ পৰা শংকৰদেৱৰ ওচৰলৈ নাম প্ৰসঙ্গ কৰিবলৈ আহে। এদিন হাথীয়া দলেকে আদি কৰি ভনচেৰেক শংকৰ-বিদ্বেষী গ্ৰাতিয়ে তেওঁলোকক বাটত পাই আগুৰি ধৰি সুধিলে "তোমালোক কলৈ যোৱাঁ?" তেওঁলোকে উত্তৰ দিলে "আমি শংকৰদেৱৰ ওচৰলৈ নাম-প্ৰসঙ্গ কৰিবলৈ যাওঁহঁক।" এই কথা শুনি সেই দুৰ্দ্দান্ত কেইজনে বুঢ়ীসকলক কলে "তোমালোকে নাম লৈ কি কৰিবা? যদি তোমালোকে এই মৰা গৰুটো নামৰ বলেৰে জীয়াই দিয়াব পাৰা, তোমা-লোকৰ ভকতিৰ চোট বুজিম, আৰু তেহে তোমা-লোকক যাবলৈ দিম।" বুঢ়ীসকলে সাৰি যাবৰ আন উপায় নেদেখি নিৰুপায় হৈ মৰা গৰুটো বেঢ়ি বহি নাম লবলৈ ধৰিলত, গৰুটো হঠাৎ উঠি লৰ ধৰি কিছু দূৰ গৈ আকৌ পৰি মৰি থাকিল। ইয়াৰ পিছতহে তেওঁলোকে ছুটকাৰণ পাইছে। তাৰ পিছত তেওঁলোক শংকৰদেৱৰ ওচৰত ওলালত, শংকৰদেৱে, সেইদিনা তেওঁলোকে প্ৰসঙ্গৰ সময়ত উপস্থিত হব নোৱাৰাৰ কাৰণ শুনিবলৈ পাই দুখ কৰি কলে "আনে নামৰ পৰীক্ষা কৰে, কিন্তু মোৰ ভাই বন্ধুহেও মোৰ পৰীক্ষা কৰে।" ভকতনী-সকলে কলে "বাপ, তেওঁলোকৰ গতি দেখি আমাৰ ইমান ভয় হৈছিল যে আমাৰ মৰণ ওচৰতে বুলি আমি ভাবিৰ লগীয়াত পৰিছিলোঁ, সেইদেখিহে তেনে কাম কৰা হল।"

কোচবিহাৰৰ ৰজা নৰনাৰায়ণ বা মল্ল নাৰায়ণ ৰজাৰ সভাৰ পণ্ডিত দলে জ্যোতিষীয়াই পুথি-পাঁজী চাই ৰজাক কলে যে তেওঁৰ বেহাৰ নগৰত শনিৰ দৃষ্টি পৰিছে, সেইদেখি তাক এৰি নগৰ আন ঠাইলৈ নগলে বিপদ ঘটিব। নৰনাৰায়ণে এই কথা শুনি ভয় খাই, নিজ ৰাজ্য কোচবিহাৰ এৰি আহোম ৰজাৰ ৰাজ্য কামৰূপলৈ আহি তাত বৰনগৰ নামে এখন নগৰ পাতি বল। এই কথা আহোম ৰজাই শুনি ক্ৰোধ কৰি নৰনাৰায়ণ বিপক্ষে যুদ্ধ সজ্জা কৰি ফৌজ পঠিয়ালে। যুদ্ধত নৰনাৰায়ণ ৰজাৰ ভায়েক প্ৰধান সেনাপতি চিলাৰায় দেৱানে আহোমৰ ফৌজক হৰুৱাই জয় লাভ কৰিলে। যুদ্ধৰ পিছত চাৰধৰা গড় আহোম ৰজাৰ ৰাজ্যৰ আৰু কোচৰজা নৰনাৰায়ণৰ ৰাজ্যৰ সীমা নিৰ্দ্ধাৰিত হল।

শংকৰদেৱৰ ভায়েক ৰামৰায়ৰ এটি অতি ধুনীয়া কন্যা আছিল, নাম ভুৱনেশ্বৰী। এদিন ভুৱনেশ্বৰীয়ে গা ধোওঁতে নৰনাৰায়ণৰ ভায়েক চিলাৰায় দেৱানে তেওঁক দেখি মোহ গৈ সেই কন্যাক বিবাহ কৰিবৰ ইচ্ছা কৰি, তেওঁ কাৰ জীয়েক, সেইটো বুজি লৈ, কন্যাক লৈ যাবলৈ ৰামৰায়ৰ ওচৰলৈ দূত পঠালে। ৰামৰায়ে লৰি আহি শংকৰদেৱক এই বিপদৰ কথা জনাই, কি কৰিম বুলি সুধিলত শংকৰদেৱে ভালেখিনি পৰ ভাবি, ভায়েকক কলে, "বোপা, আৰু খেদ কৰিলে কি হব, পূৰ্ব্বৰ লিখিত অৱশ্যে হবই, ছোৱালী নিদিলে দেৱানে বলেৰে ধৰাই লৈ যাব, আৰু আমাক নানা লাটিঘাটি কৰিব, এতেকে ছোৱালী দিম বুলি সন্মতি জনাই দেৱানেৰে সৈতে মিত্ৰতা কৰাই ভাল।" ককায়েকৰ এই পৰামৰ্শ শুনি ৰামৰায়ে দেৱানলৈ ছোৱালীটি দিম বুলি কৈ পঠিয়াই, লৈ গৈ বিয়া দি আহিল। শুক্লধ্বজে ৰীতি মতে ভুৱনেশ্বৰীক বিবাহ কৰাই শহুৰেকক নানা দ্ৰব্য বস্ত্ৰ দি সন্তোষিত কৰি পঠিয়ালে আৰু শংকৰদেৱৰ প্ৰতিও বৰ সন্তুষ্ট হল।

পঞ্চদশ অধ্যায়

দেৱদামোদৰ

পাটবাউসী থানৰ পূব প্ৰদেশত দামোদৰ নামে এজন দুখীয়া বিপ্ৰ আছিল। দামোদৰৰ গৃহত পাঁচোটি প্ৰাণী। তেওঁ ছ-হালিচা মাটি কোৰেৰে চহাই ধানৰ খেতি কৰি অতি কষ্টেৰে জীৱন-যাত্ৰা নিৰ্ব্বাহ কৰে। তেওঁ প্ৰতিদিন পুৱা থানৰ পথাৰলৈ যাওঁতে শংকৰদেৱৰ পদূলিয়েদি যায়, আৰু শংকৰদেৱৰ ভক্তসকলে নাম-কীৰ্ত্তন কৰা, পদূলিত থিয় দি শুনি থাকে। এইদৰে কেইবাদিনো তেওঁ নাম শুনাৰ পিছত, এদিন ভকত এজনে শংকৰদেৱক এই কথা জনালত, শংকৰদেৱে তেওঁক মাতাই নিয়াই, কিয় তেওঁ সেইদৰে পদূলিত বৈ থাকে সুধিলে। তেওঁ কলে মই নাম-প্ৰসঙ্গ শুনি থাকোঁ—"মোজৰ কাৰণে আনিবাৰ কাম নাই॥ দুৱাৰে লোমৰ মাটি কত

খাশি বোৱা। কত ধান লাগে তাক প্ৰপঞ্চিয়া কোৱা॥ দামোদৰে কহিলন্ত সবিনয় হই। ছয় মাস যায় ধানে তাক ভিক্ষা চায়॥" এই কথা শুনি "শঙ্কৰে দিলন্ত চাউল সিধা এক গুটি।" দামোদৰে "সিধা লৈয়া গৈয়া পাছে মাতৃক দিলন্ত। মাতৃ বোলে এহি চাউল কাক আচৰিবন্ত॥ দামোদৰে বোলে চাউল আৰব নালাগে। অৱশ্যে আচৰি এই জানা বৰ ভাগে॥ পাছে মনকষ্টে দেৱী চাউল সিজাইলন্ত। বাটি দেন্তে অৰ্দ্ধৰাত্ৰে ভোক গুচিলন্ত॥ অৰ্দ্ধেক চৰুত বৈশ দেখি আচৰিত। দামোদৰে বোলে কথা নোহে অদভুত॥ ঈশ্বৰৰ অংশ আসি আছন্ত শঙ্কৰ। তাহান কৃপায়ে অন্ন ভৈলন্ত বিস্তৰ॥ ভোজন কৰিবা দামোদৰ দ্বিজবৰ। ভাটীবেলা ভৈলে আইলা শঙ্কৰ ওচৰ॥ শঙ্কৰে শুধিলা কিবা ভোজন ভৈলেক। দামোদৰে বোলে তযু কৃপা অতিৰেক॥ পঞ্চগুটি প্ৰাণী চাউল লাগে দশ কঠা। তোমাৰ সিধায়ে ভৈল অক্ষয় সৰ্ব্বথা॥ অৰ্দ্ধেক আচিল আধা চৰুতে থাকিল। পাঞ্চ কঠা চাউলে বাপ অতখিনি ভৈল॥ হাসিয়া শঙ্কৰে বোলে আধা মাটি ছাড়া। সেহিখিনি কালে হৰি কীৰ্ত্তন আচৰা॥ শুনি দামোদৰ সেহিমতে আচৰিল। তিনি হালিচাৰ ধানে সম্পূৰ্ণ আচিল॥ দিনে দিনে নাম গাইবে আসিলা যখন। পাপ দূৰ হইয়া তান শুদ্ধ ভৈলা মন॥ এক দিনা দামোদৰে কৰিয়া বিনয়। শঙ্কৰদেৱক নাম প্ৰাৰ্থনা কৰয়॥ শৰণ লৈবাক লাগি কৰিলো নিশ্চয়। কৃপা কৰি শৰণ কৰাযো দয়াময়॥ বদতি শঙ্কৰ তুমি ব্ৰাহ্মণ প্ৰধান। তোমাক শৰণ দিবে নুহিকে বিধান॥ শুনি দামোদৰ কহে তুমি নৰোত্তম। ঈশ্বৰৰ অংশ ভৈলা সবাতো উত্তম॥ বিপ্ৰ ভট্টাচাৰ্য্য যত কন্দলি ব্ৰাহ্মণ। সি সবো তোমাত গুৰু লৈয়াছে শৰণ॥ তোমাৰ প্ৰভাৱ তাৰা সবে কহিলন্ত। তুমি দেৱ ঈশ্বৰ সাক্ষাতে ভগৱন্ত॥ নকৰিও আশা ভঙ্গ পুৰাতন দাস। দিওক শৰণ আমি কৰি আছোঁ আশ॥" এই কথা শুনি শঙ্কৰদেৱে "পাছে ভাগৱত আনি কৰাইলা স্থাপন। শাস্ত্ৰে দণ্ডৱত কৰাই দিলন্ত শৰণ॥" ইয়াৰ পিছত শঙ্কৰদেৱে তেওঁক কলে "শুনা দামোদৰ মোৰ আদেশ শুনিয়ো। ব্ৰাহ্মণ সবক তুমি শৰণ কৰায়ো॥ এহি বুলি তাক মূৰ্ত্তি ভাগৱত দিলা। দেৱদামোদৰ নাম সেহি দিনা ভৈলা॥" *

"হেন শুনি দ্বিজবৰে, বুলিলন্ত অনন্তৰে
প্ৰণামিয়া শঙ্কৰৰ পায়ে।
কিনো অনুগ্ৰহ মোক কৰিলাহা বাপ তুমি,
ভকতক কৰুণা স্বভাৱে॥
যিটো দেৱ ভগৱন্ত নাই যাৰ আদি অন্ত
সেহি তুমি জানিলো সাক্ষাত।
তুমি বিনে নাহি আক কহিলোঁহো সাক্ষেসাৰ
লৈলোঁ দেৱ শৰণ তোমাত॥
তুমি মোৰ গুৰু নিষ্ট দেৱতা পৰম ইষ্ট
তুমি বিনে নাই মোৰ আন।
অনেক জন্মৰ মোৰ দুৰ্ব্বাসনা গুচায়োক
ভকতি প্ৰদীপ দিয়া দান॥"

—ৰামচৰণ ঠাকুৰ বিৰচিত "আদি গুৰুচৰিত"

হৰি নামে এজন ব্ৰাহ্মণ আৰু এখন গ্ৰামত আছিল, তেওঁ দামোদৰদেৱৰ মুখে শঙ্কৰদেৱৰ কথা শুনি "দেখিবাক প্ৰতি সিটো কৰি অভিলাষ। পাছে আসিলন্ত সিটো শঙ্কৰৰ পাশ॥ শঙ্কৰে বোলন্ত দ্বিজ কিসক আসিলা। হৰিগুৰু অৱনতে কহিবে লাগিলা॥ হৰি দেৱতাত মোৰ মন লাগিছয়॥ আন সব দেৱ তান অংশ মাত্ৰ হয়॥ হৰি বিনে নাই নাই মুকুতি দায়ক। বিচাৰি দেখিলো আমি সকল শাস্ত্ৰক॥ বৈষ্ণৱত বিনে আন উপদেশ দাতা॥ নাহিকে জানোহো তুমি ভৈলা মোক্ষদাতা॥ শৰণ কৰায়ো মোক কৰিও উদ্ধাৰ। তুমি ভকতৰ গুৰু জানি আছোঁ সাৰ॥" এই বুলি হৰি গুৰুৱে এই শ্লোকটি মাতিলে—

"অবৈষ্ণৱোপদেশেন মন্ত্ৰেন নিৰয়ং ব্ৰজেৎ।
পুনশ্চ বিধিনা সম্যক গ্ৰাহয়েৎ বৈষ্ণৱো গুৰুঃ॥"

"শুনি তুষ্টমনে গুৰু শৰণ কৰাইলা। পাছে হৰিগুৰু মহা কৃতকৃত্য ভৈলা॥"

ষোড়শ অধ্যায়

তাম্ৰপত্ৰকুচিত ৰাজ্য চৰ্চ্চা

ৰাম ৰায়ৰ কন্যা ভুৱনেশ্বৰীয়ে এদিন ৰাতি হাতত মন্দিৰা লৈ শঙ্কৰদেৱৰ ৰচিত গীত গুৱলা সুৰেৰে গোৱা তেওঁৰ স্বামী শুক্লধ্বজে শুনি মুগ্ধ হৈ তেওঁক সুধিলে, "তুমি এনে সুন্দৰ কাৰ ৰচিত গীত গাইছা?" ভুৱনেশ্বৰীয়ে কলে "মোৰ পিতৃৰ জ্যেষ্ঠ ভ্ৰাতা পৰম ধাৰ্ম্মিক বৈষ্ণৱশ্ৰেষ্ঠ সৰ্ব্বগুণাকৰ শ্ৰীশঙ্কৰদেৱৰ ৰচনা।" শুক্লধ্বজে এই কথা শুনি বৰ আগ্ৰহ প্ৰকাশ কৰি শঙ্কৰদেৱৰ বিষয়ে সকলো ৰাতৰি ভাৰ্য্যাৰপৰা লৈ শঙ্কৰদেৱক দেখা পোৱাৰ নিমিত্তে লৈ যাবলৈ নাও মানুহ পঠিয়াই দিলে। শঙ্কৰদেৱক শুক্লধ্বজ ৰজাৰ আজ্ঞা শুনাই

---

* [illegible] "[illegible]" আদি পুথিত দামোদৰদেৱৰ বিষয়ে এই বৃত্তান্ত আন প্ৰকাৰে লিখা [illegible]।

সমূহ সংকাৰ কৰি লৈ গ'ল। শুক্লধ্বজে বৰ সমাদৰ কৰি কুশল বাৰ্ত্তা পুছি শঙ্কৰদেৱক তেওঁৰ নগৰতে ভালকৈ ৰাখিলে।

কিছু দিনৰ মূৰত "ছোটৰজা" শুক্লধ্বজৰ ককায়েক মল্লনাৰায়ণ বা নৰনাৰায়ণ ৰজাই ভায়েকৰ মুখে শঙ্কৰদেৱৰ কথা শুনি শঙ্কৰদেৱৰে সৈতে দেখা কৰিবৰ আগ্ৰহ প্ৰকাশ কৰাত, শুক্লধ্বজে সেই কথা শঙ্কৰদেৱক জনাই শঙ্কৰদেৱক নৰনাৰায়ণ ৰজাৰ ওচৰলৈ লৈ গ'ল। ৰজাই তেওঁক পৰম আদৰ সন্মান কৰি তেওঁৰে সৈতে অনেক শাস্ত্ৰালাপ কৰিলে। ৰজাই শঙ্কৰদেৱক বিষ্ণু বৈষ্ণৱৰ কথা, বৈকুণ্ঠৰ বিৱৰণ, বৃন্দাৱনৰ বৃত্তান্ত, শ্ৰীকৃষ্ণ আৰু গোপ গোপীসকলৰ বিৱৰণ, ইত্যাদি শুধিলত শঙ্কৰদেৱে সেইবোৰ তন্ন তন্নকৈ ৰজাক কলে। ইয়াৰ পিছত ককায়েক ভায়েক দুইজন ৰজাই শঙ্কৰক নমভাৱে শুধিলে যে যদি বৃন্দাৱনখন কেনেকুৱা আছিল সেইটো তেওঁ পটত তেওঁলোকক দেখুৱাব পাৰে তেন্তে বৰ ভাল হয় এই কথা শুনি শঙ্কৰদেৱে কলে মহাৰাজ যদি আপোনাসকলৰ তেনে ইচ্ছা হৈছে তেনেহলে কাপোৰৰ পট বোৱাৰ নিমিত্তে নানা বৰণীয়া সূতাৰ দিহা কৰক চাৰি মাহৰ মূৰত সেই পট বোৱাই প্ৰস্তুত কৰি আনি দিব পৰা হব। এই কথা শুনি ৰজাই সন্তোষ লভি তেনে কৰিবলৈ আজ্ঞা দিলে, আৰু আদেশ প্ৰচাৰ কৰিলে যে তেওঁ শঙ্কৰদেৱক তাঁতীকুচি আদি ৰাজ্যখণ্ডৰ ওপৰত অধিকাৰ প্ৰদান কৰি পাটবাউসীত বৰভূঞা পদত অভিষেক কৰিলে আৰু সেই খণ্ডৰ ৰাজ্যৰ চৰ্চা, পালন আৰু শাসন কৰিবলৈ ক্ষমতা দিলে। ককায়েক নৰনাৰায়ণ ৰজাৰ হাতত শঙ্কৰদেৱে এইদৰে সন্মান আৰু সমাদৰ পোৱাত শুক্লধ্বজে পৰম আনন্দ লাভ কৰি শঙ্কৰদেৱক আকৌ নিজৰ ঘৰলৈ লৈ আহি স্বামী স্ত্ৰী দুয়ো তেওঁৰ ওচৰত শৰণ লবৰ নিমিত্তে অনেক অনুনয় বিনয় কৰি প্ৰাৰ্থনা কৰিলত, শঙ্কৰদেৱে তেওঁলোকক শৰণ দিলে। ইয়াৰ পিছত শুক্লধ্বজে শঙ্কৰদেৱক নাও মানুহ লগত দি পাটবাউসীত থোৱাই দিয়ালে।

পাটবাউসী পাই শঙ্কৰদেৱে তাঁতীবোৰক মতাই অনাই ৰজাৰ আদেশ শুনাই বৃন্দাৱনীয়া কাপোৰ বৰলৈ লগাই দি, কেনেকৈ কেনেকৈ পট বৈ যাব লাগিব দেখুৱাই দিলে। প্ৰথমতে কাপোৰ খনত কৃষ্ণজন্ম হোৱা সূতিকা-গৃহ তোলালে, তাৰ পিছত বসুদেৱে কৃষ্ণক কোলাতকৈ পলুৱাই লৈ গৈ যমুনা পাৰ হৈ যেনেকৈ নন্দৰ ঘৰ পালেগৈ তাক তোলাহে।, তাৰ পিছত যেনেকৈ কৃষ্ণই পুতনাক শুহিলে, শকট ভাঙিলে, চক্ৰবাত অসুৰক বধ কৰিলে, মাটি খালে, দৈৰ ভাণ্ড ভাঙিলে, অৰ্জ্জুন ভঞ্জন কৰিলে, অঘ বক বৎসক বিনাশ কৰিলে, বন ভোজন, বিৰিঞ্চিমোহন, তালফল ভক্ষণ, ধেনুকাসুৰ বিনাশন, কালীদমন, দাবাগ্নিপান, গোপীৰ বস্ত্ৰহৰণ, অন্ন প্ৰাৰ্থন, দ্বিজ পত্নীসকলৰ প্ৰসাদ লাভ, গোবৰ্দ্ধন ধাৰণ, বৃষ্টি নিবাৰণ, গোপিনী হৰণ, শঙ্খচূৰ বধ কৰি গোপী উদ্ধাৰ, বলভদ্ৰৰ দ্বাৰাই প্ৰলম্ব বধ, অৰিষ্ট, ব্যোম কেশি অসুৰ বধ, নাৰদে আহি কৃষ্ণক প্ৰণামি সকলো বাৰ্ত্তা কোৱা, অক্ৰূৰে কৃষ্ণক ৰথত তুলি মথুৰালৈ লৈ যোৱা, ৰজকক মৰা, বেশাকাৰক সাৰূপ্য মুক্তি দিয়া, সুদাম মালিক বৰ দিয়া, কুঁজীক ধুজ কৰা, কংসৰ ধনুৰ্ভঙ্গ, কুবলয় হস্তীবধ, চাণুৰ মুষ্টিকেৰে সৈতে মালযুদ্ধ আৰু সিহঁতক বধ, আৰু কংসবধ, শ্ৰীকৃষ্ণৰ লীলাৰ এই দৃশ্যবিলাকৰ পট কাপোৰত নানা বৰণীয়া সূতাৰে বোৱাই তুলিলে। এই কাপোৰ বোৱাবলৈ শঙ্কৰদেৱে ভকতসকলেৰে সৈতে দিনো তাঁতীকুচিলৈ গৈছিল, আৰু দিনো এবেগতকৈ বোৱাইছিল। এদিন শঙ্কৰদেৱৰ অলপ গা বেয়া হলত, তেওঁ মাধৱদেৱক সেই কাপোৰ বোৱাবলৈ যাবলৈ কলে। মাধৱে গুৰুৰ বাক্য শুনি তাঁতীকুচিৰ কাৰ্ষণা ঘৰলৈ গৈ সেইদিনা কাপোৰ বোৱালে। সেই দিনা ব্ৰহ্মামোহন লীলা বোৱনা হৈছিল। আন দিনা শঙ্কৰদেৱে এবেগতহে বোৱাব পাৰে, সেইদিনা মাধৱদেৱে এবেগত চাৰি আঙুল বোৱালে। কাৰ্ষণা চৰ্চিচ মাধৱদেৱে উভতি গৈ শঙ্কৰদেৱক প্ৰণাম কৰি সেই দিনাৰ কামৰ কথা কলত, শঙ্কৰদেৱে মাধৱক প্ৰশংসা কৰি কলে, "মাধৱ, তুমি মই বোৱাতকৈ বঢ়াই বোৱালা, এইবাবে মই আজিৰপৰা তোমাৰ নাম বাপাৰ-পো দিলোঁ।"

শঙ্কৰদেৱে নাৱেৰে নিতৌ কাৰ্ষণা চৰ্চিচবলৈ তাঁতীকুচিলৈ গৈছিল। বাটত ভীম বায়নৰ ঘৰ পোৱা যায়। বায়নৰ ঘৈণীয়েক জনমৰ খুৰী চাকুলী কুঁজী আছিল। দিনো শঙ্কৰদেৱে যাওঁতে শুনিবলৈ পায় যে বায়নৰ ঘৈণীয়েকে সৰুসৰুকৈ কীৰ্ত্তনৰ পদ গাব লাগিছে। শঙ্কৰদেৱে সেই পদ শুনিলেই নল থাগৰিৰ পাতত ধৰে আৰু সেৱক নাৱৰীয়া সকলে তেওঁৰ নাওখন ৰাখে। চৰিত্ৰত আছে, যে এদিন বায়নৰ ঘৈণীয়েকে সমাজিকত তেওঁক গুৰুজনে ধৰি পোন কৰা যেন দেখিলে। আচৰিত কথা যে তেওঁ গাৰ পালতে দেখিলে, যে তেওঁৰ আৰু পূৰ্ব্বৰ ৰোগ নাই। তেওঁ বাতিয়েই স্বামীক জগাই স্বামীৰ হতুৱাই চোৱালত বায়নে দেখি আচৰিত মানিলে। পিছদিনা পুৱা দুয়ো শঙ্কৰদেৱৰ ওচৰলৈ গৈ এই ঘটনা জনালত, শঙ্কৰদেৱে আনন্দত হাস্য কৰি ক'লে যে "ঈশ্বৰ কৃষ্ণৰ কৃপাত তুমি আৰোগ্য হলা।"

এদিন শঙ্কৰদেৱে মাধৱদেৱ আৰু নাৰায়ণ ঠাকুৰ আদি ভক্ত সকলেৰে কাৰ্ষণা কৰিবলৈ যাওঁতে বাটত নাৰায়ণ ঠাকুৰক কলে, "নাৰায়ণ, তুমি এটি কবিতা কৰা।" নাৰায়ণ ঠাকুৰে [illegible] এটি [illegible]

কাৰণে। মাধৱদেৱক তেওঁক এটি কবিতা কৰিবলৈ কলত, মাধৱে "জয় গুৰু শঙ্কৰ, সৰ্ব্ব গুণাকৰ, যাকেৰি নাহি উপাম," ইত্যাদি এই গুৰু ভটিমাটি ৰচনা কৰি গালে।

এদিন শঙ্কৰদেৱে কাৰ্যণা মৰলৈ যাবলৈ ধৰোতে দেখিলে যে নাৱৰ তলিত যি অলপ পানী আছিল সেই পানীত ৰাম ৰাম গুৰুৰ ভৰি লাগিল। ব্ৰাহ্মণৰ পদস্পৰ্শ হোৱা বাবে, শঙ্কৰদেৱে সন্মান প্ৰদৰ্শন কৰি সেই জলত ভৰি নিদি তাক সিঁচাই পেলাই দিহে নাৱত উঠিল।

বৃন্দাবনীয়া কাপোৰখন প্ৰস্তুত হৈ উঠিলত, শঙ্কৰদেৱে সেইখন নিজৰ ঘৰলৈ নৈ আহিল, আৰু তেওঁৰ পাটবাউসী থানৰ লোক সকলে দেখি বিস্ময় মানিলে। কাপোৰখন ইমান ডাঙৰ দীঘল আৰু গধুৰ হৈছিল যে সেইখন মেলিবলৈ, সামৰিবলৈ, বান্ধিবলৈ তুলিবলৈ তিনি কুৰি মানুহ লাগিছিল। শঙ্কৰদেৱে ইয়াৰ পিছত কাপোৰখন লৈ গৈ নৰ-নাৰায়ণ আৰু শুক্লধ্বজক দিলত, তেওঁলোকে ৰাজ সভাত তাক মেলাই চাই পৰম সন্তোষ লভি শঙ্কৰ-দেৱৰ ক্ষমতা দেখি বিস্ময় মানিলে। পটৰ প্ৰত্যেকটো ঘটনা শঙ্কৰদেৱে গুৰুলাকৈ ৰজাক বুজাই দিলে। ৰাজ সভাৰ ব্ৰাহ্মণসকলে অসূয়াপৰৱশ হৈ তাত খুঁত ধৰি দোষ দেখুৱাবলৈ চেষ্টা কৰিছিল, কিন্তু শঙ্কৰৰ সৈতে শাস্ত্ৰৰ তৰ্কত তেওঁলোক একেবাৰে পৰাভূত হৈ বিষণ্ন বদনেৰে সভাঘৰ এৰি যাব লগীয়াত পৰিছিল। নৰনাৰায়ণ শঙ্কৰদেৱৰ এই কাৰ্যত বৰ সন্তোষ পাই আকৌ দানাই শঙ্কৰক কলে চলিয়োক ঘৰ আৰে দিলোঁ ৰাজ্য খণ্ড। ৰৰভূঞা তুমি গুণ দোষে দিব দণ্ড॥ তোমাৰ আজ্ঞাতে চলিবেক সাৰ প্ৰজা। বিদায় দিলন্ত সেহিমতে মহাৰাজা॥'

ৰজাই শঙ্কৰদেৱক এইদৰে ক্ষমতা দি সন্মান সৎকাৰ কৰা দেখি চিলাৰায় আৰু তেওঁৰ পত্নী ভুৱ-নেশ্বৰীৰ আনন্দৰ পাৰ নোহোৱা হ'ল। ভুৱনেশ্বৰীয়ে ৰৰদেউতাক শঙ্কৰদেৱৰ চৰণত পৰি প্ৰাৰ্থনা কৰিলে, যে তেওঁক যেন এখন শাস্ত্ৰ ৰচনা কৰি দিয়া হয়, য'ত ঈশ্বৰৰ উৎপত্তি, লীলা আৰু প্ৰলয় থাকে। শঙ্কৰদেৱে পাটবাউসী পাই মাধৱদেৱক এই শাস্ত্ৰ ৰচনা কৰিবলৈ কলত, মাধৱদেৱে গুৰুবাক্য শিৰত ধৰি সাত শ পদেৰে "জন্মৰহস্য" পুথি ৰচনা কৰি আনি শঙ্কৰ-দেৱৰ হাতত দিলে। শঙ্কৰদেৱে পুথিখন দেখি কলে যে "তিৰোতাখিনিয়ে সাত-শ পদৰ ইমানখন ডাঙৰ পুথি কেনেকৈ পঢ়িব?" মাধৱদেৱে এই কথা শুনি ৭০০ পদৰ ৪০০ ভাকৰাই দি তাক ৩০০ কৰিলে। বিশেষ কথা বাহুল্য হৈ আছিল, সেইবোৰ সংশোধন কৰি লোৱাই মাধৱদেৱে পুথিখন আনি আকৌ শঙ্কৰ-দেৱৰ হাতত দিলত শঙ্কৰদেৱে বৰ সন্তোষ পাই তেওঁক কলে,—"মাধৱ তুমি ধন্য। তুমি সুন্দৰ শাস্ত্ৰখনি কৰিলা। তুমি ৰহাক চুটাব পাৰা, চুটাক বঢ়াব পাৰা। মই কিন্তু বঢ়াবহে পাৰো।" এইদৰে মাধৱক প্ৰশংসা কৰি, শঙ্কৰদেৱে ৰামৰামক মাতি আনি "জন্ম-ৰহস্য" পুথিখন দি কলে "তুমি তোমাৰ কন্যাৰ পুথিখন পঠিয়াই দিয়া, তেওঁৰ প্ৰাৰ্থনা মতেহে এই পুথি ৰচনা কৰা হৈছে।" বাপেকে পুথিখন লৈ গৈ জীয়েকক দিলত, জীয়েক ৰাজৰাণীয়ে মহা আনন্দ লভি কৃতাৰ্থ হল।

সপ্তদশ অধ্যায়

শঙ্কৰদেৱৰ দ্বিতীয়বাৰ তীৰ্থভ্ৰমণ

ইয়াৰ কিছুদিনৰ পিছত নৰনাৰায়ণ ৰজা তেওঁৰ নতুন ৰাজধানী ৰৰনগৰৰপৰা কোচবেহাৰৰ তেওঁৰ পুৰণি ৰাজধানীলৈ গ'লত, শঙ্কৰদেৱে তীৰ্থলৈ যাবলৈ মন কৰিলে। তেওঁ মাধৱদেৱ, নাৰায়ণ ঠাকুৰ, ৰামৰাম গুৰু, ৰাম ৰায় আৰু আন আন ভকত আৰু ব্ৰাহ্মণসকলক লগত লৈ তীৰ্থলৈ যাবলৈ উদ্যোগ কৰিলত, সেই বাতৰি শুনি শঙ্কৰৰ ভাৰ্য্যা কালিন্দীয়ে খেদ কৰি বিশ্বাসে মাধৱদেৱক মাতি আনি ক'লে মাধৱ, গোসাঁই তীৰ্থলৈ যাবলৈ ওলাইছে, কিন্তু তেওঁ যদি বৃন্দাবনলৈ যায়, তেন্তে আৰু উভতি নাহে, আৰু মই অনাথিনী হম, এতেকে তোমাক খাটিলো যাতে গোসাঁই বৃন্দাবনলৈ নাযায় তাৰ দিহা কৰিবা। তোমাৰ কৃপাতেহে যদি মই অনাথিনী নহৈ স্বামীক পাওঁ। এই কথা শুনি মাধৱদেৱে গুৰুপত্নীক আশ্বাস দি কলে আই, আপুনি চিন্তা নকৰিব আপোনাৰ চৰণৰ প্ৰসাদত এই সেৱকে আপোনাৰ বস্তু আপোনাক নিশ্চয় আনি দিব।" এই কথা শুনি গুৰুপত্নীয়ে মন থিৰ কৰি মাধৱক প্ৰশংসা কৰিবলৈ ধৰিলে। শুভ তিথি শুভ দিনত মাধৱদেৱকে আদি কৰি ছকুৰি ভকতেৰে সৈতে শঙ্কৰদেৱে তীৰ্থ যাত্ৰা কৰিলে। পথত যাওঁতে শঙ্কৰদেৱে নানা লীলা কৰি গৈছিল, বাহুল্যৰ ভয়ত দুটা এটাৰ বাহিৰে সেইবোৰ ইয়াত বিবৃত কৰা নগ'ল।

শঙ্কৰদেৱ সাতদিনৰ বাট যোৱাৰ পিছত, সেৱক-সকলে তেওঁলোকৰ লগত যি আহাৰৰ দ্ৰব্যবস্তু লৈ গৈছিল সেইবোৰ চুকালত শঙ্কৰদেৱে তেওঁ-লোকক সুধিলে, কাৰ হাতত কি টকা-কড়ি আছে? যাৰ হাতত যি টকা-সিকা আছিল সকলোৱে আনি শঙ্কৰদেৱৰ আগত থ'লে। ৰাম-গোবিন্দ আৰু,

ভকত এজনে কলে “মোৰ হাতত টকা-কড়ি একো নাই।” শঙ্কৰদেৱে কলে, “যাৰ হাতত টকা-কড়ি নাই তেওঁ মোৰ খৰচত খাব।”

উদাৰক যেতিয়া সেইদিনা তেওঁৰ খোৰাকী দিয়া হ'ল, উদাৰে নিনিলত শঙ্কৰদেৱে তাৰ কাৰণ সুধিলত, উদাৰে ক'লে, যে তেওঁৰ হাতত দুঅনাৰ কড়ি আছিল, তাকে ভাঙি তেওঁ তেওঁৰ আহাৰৰ বস্তু আনিছে। এই কথা শুনি শঙ্কৰদেৱে উদাৰক সুধিলে, 'তেন্তে তুমি অথনি আমাৰ আগত মিছা কৈছিলা কিয়?' উদাৰে উত্তৰ দিলে 'তাকৰীয়া কড়ি আছিল দেখি লাজতে নাই বুলি কৈছিলোঁ। এই কথা শুনি শঙ্কৰে উদাৰক ক'লে তেনেহলে তুমি মিছা কোৱা বাবে তোমাক আমি এৰিলোঁ। ইয়াৰ পিছত উদাৰ গোবিন্দ শঙ্কৰদেৱৰ সঙ্গত যাবলৈ নাপাই সাত দিনৰ বাট লোকৰ পিছে পিছে হাবিয়ে হাবিয়ে গৈছিল। উদাৰৰ এনে দুৰ্গতি দেখি সকলো ভকতে শঙ্কৰদেৱৰ ওচৰত উদাৰৰ দোষ ক্ষমা কৰিবলৈ প্ৰাৰ্থনা কৰিলতহে শঙ্কৰদেৱে উদাৰক ক্ষমা কৰিলে। সেই দিনাৰপৰা উদাৰ-গোবিন্দই সমুলি মিছা নোকোৱা হ'ল। বাটত যাওঁতে এদিন শঙ্কৰদেৱে দেখিলে ব্যাধৰ জালত এটা হৰিণ পৰি আছে। তেওঁ তেতিয়াই আধলি এটা ব্যাধক দি হৰিণটো মোকোলাই দিয়ালে। এদিন তেওঁ এটা মানুহে চিটিকা পাতি চৰাই এটা ধৰা দেখি চাৰিপোন কড়ি দি তাৰপৰা চৰাইটো কিনি লৈ এৰি দিলে। আৰু এঠাইত সেইদৰে আৰু এটা চৰাই মেলাই দিয়ালে।

এদিন তেওঁলোকে এখন গাৱঁৰ মাজৰ বাটেদি যাওঁতে শঙ্কৰদেৱে দেখিলে যে এঠাইত কিছুমান পণ্ডিতে একত্ৰ হৈ বহি শাস্ত্ৰৰ অৰ্থ ব্যাখ্যা কৰিব লাগিছে। মাধৱদেৱক শঙ্কৰদেৱে সুধিলে 'বচাৰ পো, সেইখন কিহৰ মেল?” মাধৱে উত্তৰ দিলে “বাপ, শাস্ত্ৰৰ অৰ্থ ব্যাখ্যা হৈছে।” এই কথা শুনি শঙ্কৰদেৱে ক'লে “বচাৰ পো, আমাৰো অৰ্থ ব্যাখ্যা কৰা।” গুৰুৰ আজ্ঞা পালি মাধৱদেৱে এই গীতটি ৰচনা কৰি গালে—

শুনলো পণ্ডিত।
হৰিকথা সেৱাৰসে থিৰ কৰু চিত।

*   *

ভকতি সমান বলী নাহি নাহি আৰ।
কহয় মাধৱ গতি নন্দৰ কুমাৰ॥”

এঠাইত এজন লোকে বাণিজ্য কৰা দেখি শঙ্কৰদেৱে মাধৱদেৱক সুধিলে “বচাৰ পো, সেয়া কি কৰিছে?” মাধৱে উত্তৰ দিলে “বাপ, বেপাৰ কৰিছে।” শঙ্কৰদেৱে ক'লে “আমাৰো কৰাঁ।” এই কথা শুনি মাধৱদেৱে এই গীতটি ৰচি গালে—

“বেপাৰো ভাৰতে হাট, আউৰ বেলি নাটে।
চলিতে নিকট ভৈয়ো ভৰা দিয়া জাণ্টে॥

*   *

ভাৰত পাটত নৰ নাও পচি যায়।
হুয়ো সাৱধান কৃষ্ণ কিঙ্কৰে গায়॥”

ভকতসকলেৰে এইদৰে পদব্ৰজে গৈ থাকোঁতে এদিন শঙ্কৰদেৱে কেতবোৰ ঢুলিয়াই ঢোল বজোৱা শুনি মাধৱদেৱক সুধিলে “বচাৰ পো, সেয়া কি কৰিছে?' মাধৱদেৱে ক'লে 'বাপ, ঢোল বজাইছে। শঙ্কৰদেৱে এই কথা শুনি মাধৱক ক'লে “বচাৰ পো, আমাৰো বাব লাগিল।' এই বাণী শুনি মাধৱে তেতিয়াই এই গীতটি ৰচনা কৰি গালে,—

'মুকুন্দ মাধৱ মুৰাৰি মধুৰিপু,
জগত জীৱন ৰাম হৰি হৰি।' ইত্যাদি।

এঠাইত এজনে কৃষি কৰা দেখি শঙ্কৰদেৱে মাধৱক সুধিলে—“বচাৰ পো, লোকটিয়ে কি কৰিছে?” মাধৱে উত্তৰ দিলে—“বাপ, কৃষি কৰিছে।' “তেন্তে আমাৰো কৰাঁ।' এই কথা শুনি মাধৱদেৱে এই গীতটি ৰচনা কৰি গালে—

'কিৰিষি কৰ আল মনাই।' ইত্যাদি।

মাধৱদেৱে এই গোটেই বাটটো তেওঁৰ নিত্য-কৰ্ম্ম গুৰুসেৱা সমানভাৱে চলাই আহিছিল। ৰাতি গুৰুক খুৱাই-বুৱাই শুৱাই গুৰুৰ ভৰিত তেল ঘঁহি অঁতাই আহিহে তেওঁ নিজৰ ভোজনৰ দিহা-পোহা কৰিছিল। নিজে ভোজন কৰি আহি শঙ্কৰদেৱৰ ভৰি পথাগত বোলেগে নিজৰ শয্যা কৰি, গুৰুৰ চৰণ দুটি সাৱটি ধৰি গুৰুৰ জাৰ গুচাই শুইছিল।

কিছুদিনৰ পিছত তেওঁলোকে গঙ্গাতীৰ পাই গঙ্গাত স্নান দান কৰিলে। চৰিত্ৰ পুথিত আছে, বাটত নৱদ্বীপত চৈতন্যৰ ঘৰত শঙ্কৰদেৱ উপস্থিত হ'লত, চৈতন্যই শঙ্কৰদেৱ অহা শুনি নিত্যানন্দক লৈতে ঘৰৰপৰা আথে-বেথে ওলাই আহিল। নিত্যানন্দই শঙ্কৰদেৱক সুধিলে—'কোন দেশেৰ গোসাঁই কোন মুখে কৰিলেন বাৰ। জগত জুৰিয়া হৰি আছেন দেখি কোন স্থানে দিলেন পাৰ॥” এই প্ৰশ্ন শুনি মাধৱদেৱে উত্তৰ দিলে—“হৰিৰ আজ্ঞাত আসি আছোঁ আমি পৃথিবীত দিয়া পাৰ। হৃদয়ৰ ভিতৰত হৰি আছে, তুমি বিচাৰি চাও॥” পুনৰায় নিত্যানন্দই প্ৰশ্ন কৰিলে—“কোন দেশেৰ গোসাঁই

কোন দেশে যাও। কোন মুখে ভিক্ষা মাগি কোন মুখে খাও ॥" মাধৱদেৱে উত্তৰ দিলে—"পূৱ দেশৰ গোসাঁই পশ্চিম দিশে যায়। গুৰুৰ মুখে ভিক্ষা মাগি আপোন মুখে খায় ॥" ইয়াৰ পিছত শঙ্কৰ আৰু চৈতন্য "দুয়ো দুইহাতক দেখি আছিলন্ত ৰই। চক্ষুৰ লোতক বহে প্ৰেমানন্দ হই ॥ আছিলন্ত জাৰি গোটি হাতে চৈতন্যৰ। ভুমিত ৰাকিলা জল কৰিয়া সত্বৰ ॥ সিতো জল চাপৰ থানত বহি গৈলা। হাসিয়া শঙ্কৰ গুৰু নামাতি চলিলা।" *

এদিন পথত যাওঁতে ৰামৰায়ে শঙ্কৰদেৱক সুধিলে "দাদা, ৰামৰ চৰিত্ৰ কাহিনী কওক।' শঙ্কৰদেৱে ৰামৰ চৰিত্ৰ কৈ থাকোঁতে, তাৰকাৰ বধৰ কথা পালতহি, নাহেকৈ তাৰপৰা পিছলি পতনা বধৰ কথা কবলৈ ধৰিলে। ৰামৰায়ে আশ্চৰ্য্য হৈ সুধিলে "দদা, তুমি দেখোন ৰামৰ কথা এৰি কৃষ্ণৰ কথা ক'বলৈ ধৰিলা?" এই কথা শুনি শঙ্কৰদেৱে ভাযেকক ক'লে, "বোপা, কৃষ্ণ-কথাই মোৰ মনক আলোপ কৰি আক্ৰমণ কৰি থৈছে, সেইদেখি ৰামৰ কথা কৈ থাকোঁতে কৃষ্ণৰ কথা গুলায়হি।" বাটত যাওঁতে এদিন ডাৱৰে আকাশ ওলোলাই থকা দেখি মাধৱে শঙ্কৰদেৱক ক'লে, 'বাপ, এতিয়াই খুব বৰষুণ আনিব।" শঙ্কৰদেৱে উত্তৰ দিলে "ডাৱৰ উৰি যাব, বৰষুণ নহয়।" সকলোৱে দেখি আচৰিত মানিলে যে ক্ষন্তেকতে ডাৱৰ নাইকিয়া হ'ল। তাৰ পিছদিনা আকৌ অলপমান মেঘ হোৱা দেখি শঙ্কৰদেৱে মাধৱক কলে "বাপাৰ পো, শীঘ্ৰে ঘৰ বিচাৰা, নহলে তিতিবা এতিয়া। বৰ বৰষুণ আহিব।" মাধৱে ক'লে "বৰষুণ নহয় এতিয়া।" ইয়াৰ পিছতে বৰকৈ বৰষুণ আনিবলৈ ধৰিলে, আৰু শঙ্কৰদেৱৰ ভকত-সকলেৰে সৈতে আধা-তিতা হৈ এজন ক্ষত্ৰিয়ৰ ঘৰত সোমালগৈ। শঙ্কৰদেৱে হাঁহি মাধৱক ক'লে "তুমি কৈছিলা দেখোন বৰষুণ নাহে বুলি, এতিয়া তিতি আহিলা কিয়?"

বাটত যাওঁতে কবীৰাৰ ঘৰ পাই, শঙ্কৰদেৱে কবীৰাৰ কোন আছে বুলি সুধিলত, এজনী তিকতা মানুহে ওলাই আহি ভক্তিভাৱে ক'লে যে তেওঁ কবীৰাৰ নাতিনীয়েক। শঙ্কৰদেৱে কবীৰা কেনেকৈ আছিল, কেনেকৈ মৰিল, ইত্যাদি সকলো বৃত্তান্ত তেওঁক ভালকৈ সুধিলত তেওঁ ক'লে— "— —মোৰ পিতামহ কথা। মালীৰ ঘৰত, কাৰস্থ কুলত, জনম লভিল তথা ॥ অতি শিশুকালে, পিতামাতা দুই, প্ৰাণক ছাড়িয়া গৈল। ৰক্ষক নাছিল, দেখি নিকটৰ, যৱনে তুলিয়া লৈল ॥ বয়স ভৈলন্ত, ৰূপ গুণৱন্ত, পঢ়িল যৱন শাস্ত্ৰ। ভাগৱত ধৰ্ম্মে, ভৈলন্ত নিৰত, হিন্দুধৰ্ম্মে সদা ৰত ॥ কৃষ্ণ যশচয়, কবিতা ৰচয়, হৰিৰ ভকতি কৰি। কৃৰন্তে আসিয়া, কাল ভৈল তান, বৈকুণ্ঠক গৈলা লৰি ॥ যৱন বুলিয়া, হিন্দুৱে নোছোৱে, যৱনে হিন্দু বুলিয়া। নুছুইবাৰ দেখি, গঙ্গাৰ জলত, পেলাইলেঁ৷ আমৰা নিয়া ॥ স্ৰোতে উটি গৈলা, চৈতন্য গোসাঁইৰ, ঘাটত চাপিলা বেগে। ভকতক দিয়া, দয়ালু গোসাঁই, পোতাইয়া থৈলা তেবে ॥ নদীয়াৰ ৰাজা অসন্তোষ মনে, চৈতন্যক ৰাগ কৈলা। মোৰ গুৰু হইয়া, যৱন জনক পশিয়া পোতাইয়া থৈলা ॥ চৈতন্য বদতি, শুনা নৰপতি, নোপোৱোঁ যৱনজন। মহন্ত ভকত কবীৰা থৈলন্ত দেখিলে পাইবা প্ৰমাণ ॥ নিজে গৈয়া ৰাজা, খান্দিয়া দেখিলা, চতুৰ্ভুজ মূৰ্ত্তিখান। কাষ্ঠময় হইয়া, বসিয়া আছয়, গন্ধ বহে বিতোপন ॥ আচৰিত মনে, ৰাজায়ো তেখনে, পোতাইলা কবৰ কৰি। মহা ভক্তিভাৱে, চৈতন্যক নমি, চলিলা নিজ নগৰী ॥"

কবীৰাৰ নাতিনীয়েকৰ মুখে কবীৰাৰ এই বৃত্তান্ত শঙ্কৰদেৱে শুনি, কবীৰাৰ কবৰ চাবৰ মন কৰি ঘৰৰপৰা ওলাই আহোঁতেই কবীৰাৰ নাতিনী-য়েকে নবালবিকৈ গিৰিয়েকৰ মূৰৰ পাগুৰিটো আনি শঙ্কৰদেৱৰ আগত পাতি দি, তাত তেওঁৰ চৰণৰ ধূলি দিবলৈ প্ৰাৰ্থনা কৰি ক'লে "মোৰ স্বামী বৰ দুৰ্ভগীয়া, তেওঁ আপোনাক দেখিবলৈ নাপালেহি। পিছত তেওঁ আহি শুনিলে মনত বৰ দুখ কৰিব। এতেকে এই তেওঁৰ পাগুৰিত আপোনাৰ ভৰিৰ ধূলি দিয়ক, তেওঁ আহিলে তেওঁক এই ধূলি দি দিম, তেওঁৰ মহাভাগ্য মিলিব।" এই কথা শুনি শঙ্কৰদেৱে প্ৰথমতে বাৰবাৰ ওৰুক পাগুৰিত পাৰ

* বৰদোৱাৰপৰা পোৱা চৰিত্ৰত এই বিৱৰণৰ আগে [illegible] আছে। তাত আছে যে শঙ্কৰদেৱে পুৰীত যে চৈতন্যৰ [illegible] যাওঁতে এই কথৰা দিয়া হৈছিল। তাত লেখা মতে দিলোঁ।—"ক্ষেত্ৰ যাওঁতে পথা বৃন্দাবনলৈ যাবৰ ইচ্ছা যোৱাত কোনো [illegible] ভকতসকলৰ সহিতে শঙ্কৰদেৱে চৈতন্য গোসাঁইৰ মন্দিৰলৈ যাবলৈ সাজু হৈ, মাধৱদেৱক কৈছে, বাপাৰ পো, কথৰা দিবলৈ [illegible] হবা। মাধৱে ভকতসকলক জনাইছে, আপোনাৰ লগত গুৰুৰ কৃপা থাকিলে কোনো কথালৈ ভয় নকৰোঁ। তেওঁলোকে কথৰা দিলে যদি তোমাৰ দাদাৰ মুখৰ পৰাও বাহিৰ হব। চৈতন্যদেৱৰ নিত্যানন্দ, শঙ্কৰদেৱৰ মধোৱাৰ আলবৰা। নিতায়ে কথৰা দিছে—"কোন দেশৰ বৈৰাগী কোন দেশে যায়। কোন মুখে ভিক্ষা মাগি কোন মুখে খায় ॥" মধো দেৱে উত্তৰ দিছে—"পূৱ দেশৰ বৈৰাগী পশ্চিম দিশে যায়। গুৰুৰ মুখে ভিক্ষা মাগি নিজ মুখে খায় ॥" আকৌ নিত্যানন্দই কৈছে—"কোন দেশৰ বৈৰাগী কি বুলি কান্দিছে [illegible] [illegible] হৰিনাম লেখোঁ কত দি আহিলা পাৰ ॥" মধোৱাই উত্তৰ দিলে—"পূৱ দেশৰ বৈৰাগী বাম বুলি কান্দিছে [illegible] [illegible] [illegible] [illegible] ॥" [illegible] চৈতন্যদেৱৰ মন্দিৰৰ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] দিছে।"

নিৰ্বাণে ক'লে। ৰামৰায়ে ক'লে "আপুনিহে দিব লাগে, মই নহয়। আপোনাৰ পদধূলি পালেহে মোৰ সংসাৰ বন্ধন মোচন হ'ব।" ইয়াৰ পিছত শংকৰদেৱে পাণ্ডৰিত পাৰ দিলত, কবীৰাৰ নাতি-নীয়েকে বৰ যতন কৰি পাণ্ডৰিটি তুলি নি থৈ দিলেগৈ। কবীৰাক পোতা ঠাইডোখৰ শংকৰদেৱে তেওঁক দেখুৱাই দিবলৈ ক'লত কবীৰাৰ নাতিনীয়েকে দেখুৱাই দিলে। কবৰ য'ত আছিল সেই ডোখৰ শংকৰদেৱে খন্দাই চাই দেখিলে যে তাত "নাহি আৰ এক্লো. বক্তময় কাষ্ঠ, কবৰত আছিলন্ত।" শংকৰদেৱে সকলোকে সেইডোখৰ দেখুৱাই আকৌ তাতে পোতাই থলে। ইয়াৰ পিছত শংকৰদেৱে কবীৰাৰ কবৰৰ প্ৰতি প্ৰণাম কৰিবলৈ সকলো ভকতক ক'লত, সকলোৱে প্ৰণাম কৰিলে, কিন্তু ৰামৰায়ে মনত বিষম ভাবি নকৰিলে। অলপ বাট গৈয়েই ৰামৰায়ে চকুৰে নেদেখা হ'লত, শংকৰদেৱে তেওঁক ক'লে, 'তুমি উভতি গৈ কবীৰাৰ নাম ধৰি তেওঁৰ কবৰত প্ৰণাম কৰি আহাগৈ।" ৰামৰায়ে শংকৰদেৱৰ আজ্ঞামতে তেনে কৰিলতহে তেওঁৰ চকু ভাল হ'ল।

এদিন এওঁলোক যাওঁতে দেখিলে যে বাটৰ কাষতে হালোৱা এটাই হেঃ হেঃ কৰি হালৰ গৰু খেদাই আছে। ঠাকুৰ আতাই হালোৱাটোৰ আগত থিয় দি তাক ক'লে "হেঃ হেঃ নুবুলি ৰামৰাম বোল।" হালোৱাই কোনোমতে নোবোলে, নাৰায়ণ ঠাকুৰেও তাক নুবুলিলে নেৰে, কত বুজাইছে। শেহত হালোৱাই নিৰুপায় হৈ ক'লে "নো এৰি দিয়াঁ, মই বলিলোঁ ৰাম।" সি ৰাম বুলিলত হে নাৰায়ণ ঠাকুৰে ৰং পাই তাক এৰি গুচি আহিল।

শংকৰদেৱ বাটত যতে ৰাতি থাকি যায়, ততে তেওঁ ৰাতি শয়ন কৰোঁতে নিদ্ৰিতাৱস্থাত হৰিনাম উচ্চাৰণ কৰি থাকে দেখি আন আন যাত্ৰীসকলে দেখি পৰম আশ্চৰ্য্যান্বিত হয়। তেওঁলোকে ইয়াৰ পিছত গাড়ি-গঙা পাই বৰাহ বিষ্ণুৰ দৰ্শন কৰি অৱশেষত চাৰি দিনে মহানদী পালেগৈ। মহানদীত স্নান দান কৰি, আঠাৰনলা চকি পাই তাতে তেওঁ-লোক খাইদাই ৰাতি থাকিল; আৰু তাৰ পৰা পাণ্ডাই শংকৰদেৱক জগন্নাথ মহাপ্ৰভুৰ প্ৰসাদ দি ভকতসকলেৰে সৈতে আগ বঢ়াই নিলে। শংকৰ-দেৱে ভকতসকলেৰে সৈতে সমুদ্ৰত নাৰিকল দি স্নান কৰিলে; সাগৰৰ ঢৌ লৈ স্নান কৰোঁতে সাগৰ-ভূমি কাপোৰ পাই তাক ভকতসকলৰ মাজত ভগাই দিলে; মাধৱদেৱে সেই কাপোৰৰ এডোখৰ উপৰ পুথি মেৰাই থবলৈ ৰাখিলে। ইয়াৰ পিছত শংকৰদেৱে পণ্ডক প্ৰণাম কৰি, অক্ষয়-বট-বৃক্ষক আলিঙ্গন কৰিলে। শংকৰদেৱ সিংহদ্বাৰ পাওঁতে তেওঁক ভিতৰলৈ সোমাবলৈ কলত শংকৰদেৱে কলে যে, "যাব নোৱাৰি; কাৰণ দ্বাৰত ব্যৱধান আছে; দুৱাৰৰ তলত অষ্টাধিক এশ শালগ্ৰাম পোতা আছে, সেইসকলক ডেই কেনেকৈ যাম? পাথৰখন গুচাই তোমালোকে চোৱাঁ, হয় নে নহয়।" এই কথা শুনি পাণ্ডাসকলে আচৰিত মাতি শিলাকুটি আনি পাথৰ গুচাই দেখে যে সঁচা। তাৰপৰা সেই অষ্টাধিক শত শালগ্ৰাম শিলা তুলি নি তেওঁলোকে মন্দিৰৰ বাহিৰে দক্ষিণ ফালে থাপনা কৰি থলে, তাতে আজিলৈকে আছে।

ইয়াৰ পিছত শংকৰদেৱে নাটমন্দিৰত প্ৰৱেশ কৰি দ্বাৰদেশৰ খুটাত হাত দি দাৰুব্ৰহ্ম জগন্নাথ মূৰ্ত্তিৰ মুখপদ্মলৈ একেথিৰে চাই থাকোঁতে সেই খুটাত তেওঁৰ আঙ্গুলিৰ গাঁচ বল। আজিলৈকে তাত সেই গাঁচ আছে, যাক শংকৰদেৱৰ হাতৰ আঙ্গুলিৰ চিহ্ন বুলি কয়। থিয় হৈ থকা শিলৰ ওপৰতো পাৱৰ খোজৰ চিহ্ন বল, সেই চিহ্ন লগ্নীৰ স্তম্ভৰ ওপৰত আজিও দেখিবলৈ পোৱা যায়। মাধৱদেৱে জগন্নাথৰ মুখলৈ চাই তেতিয়াই এটি গীত ৰচনা কৰি গালে। গীতটি তলত তুলি দিলোঁ,—

"মোক দেখ না কেনে ওহে জগন্নাথ মই বৰ পাপীৰ পাপী।
সংসাৰ কূপত পৰিয়া তোমাৰ চৰণে নধৰোঁ। চাপি ॥
দেৱে নাহি পায় মানবী হৈবাক মই পাপী আসিয়া পাইলো।
তোমাৰ ভকতি-অমিয়া ত্যজিয়া বিষয়-গৰল খাইলোঁ ॥
কত তপসাই নৰতনু পাই গোৱাইলোঁ বিষয় ভোলে।
যেন চিন্তামণি অমূল্য ৰতনি বিকাইলো কাঞ্চৰ মোলে ॥
লোভ মোহ কাম ক্ৰোধ মদ মান ইসব বৈৰীৰ সঙ্গে।
আপোন ইচ্ছাযে পাপ আচাৰিয়া বেৰাইলোঁ মনত ৰঙ্গে ॥
পৰ তিৰী পৰ ধনৰ আশাযে সদায় আকুল ভৈলোঁ।
তুমি মহাধন তোমাক নেসেৱি জনম বিফল কৈলোঁ ॥
আয়ু আলেজালে গৈল পাইলে কালে প্ৰাণ কোন দিন পৰে।
যমৰ যাতনা শুনিয়া হৃদয় কম্পিত ভৈগৈল ডৰে ॥
তোমাৰ অভয় চৰণে শৰণ বিনে নাহি আন গতি।
তুমি দয়াময় জানিয়া কহয় মাধৱ মূৰুখমতি ॥"

ইয়াৰ পিছত শংকৰ মাধৱ দুয়ো সেৱকসকলৰ দ্বাৰাই পৰিবৃত হৈ অতি বহিলত পাণ্ডাই তেওঁ-লোকক সেই স্থানৰ নিয়ম অনুসৰি হাতত বেত্ৰে মাৰিবলৈ অহা দেখি মাধৱদেৱে এই শ্লোক মাতি তেওঁলোকৰ বেত্ৰৰ প্ৰহাৰ কৰিবলৈ মানা কৰিলে—

"কদা বেত্ৰ প্ৰহাৰেণ কথিৰং যাস্যতে মম।
শক্ৰাদয়ো দেৱগণাঃ নিত্যং যাচন্তি সৰ্ব্বদা ॥"

অৰ্থাৎ যদি [illegible] বেত্ৰৰ প্ৰহাৰ পাই শৰীৰৰ ৰক্ত কেতিয়া [illegible] হব, [illegible] ব্ৰহ্মা, ৰুদ্ৰ, ইন্দ্ৰ আদি দেৱতাসকলেও বাঞ্ছা কৰি থাকে, এনে বেত্ৰৰ প্ৰহাৰ

খাবলৈ আমাৰ নিচিনা ক্ষুদ্ৰ প্ৰাণীৰ কি যোগ্যতা আছে। * মাধৱদেৱৰ এই কথা শুনি পাণ্ডাসকলে মেত্ৰ নামাৰি গুচি গ'ল।

চৰিত্ৰত আছে, ঈশ্বৰৰ আন তিনি অৱতাৰ বুলি খ্যাত শ্ৰীচৈতন্য, হৰিব্যাস আৰু ৰামানন্দ এই সময়তে তাতে শঙ্কৰদেৱৰে সৈতে বহি, চাৰিউজনে নিজ নিজ মতৰ প্ৰাধান্য স্থাপন কৰি বাদ কৰিছিল। তেওঁলোকে প্ৰতিদিন আহি এইদৰে বাদ কৰি থাকোঁতে এদিন পাণ্ডাই তাতে তেওঁলোকক জগন্নাথ প্ৰসাদ আনি দিলে। হৰিব্যাস, ৰামানন্দ আৰু শ্ৰীচৈতন্যই প্ৰসাদ পায়েই খালে, শঙ্কৰদেৱে নাখাই বৈ থকা দেখি তেওঁলোকে তেওঁৰ দায় ধৰি তেওঁক কলে "তুমি প্ৰসাদ নাখাই পাপ সঞ্চয় কৰিলা।" শঙ্কৰদেৱে উত্তৰ দিলে "তোমালোকৰ কথা সঁচা বুলি মই পালন কৰিম, কিন্তু ই যে প্ৰসাদ নহয়, মই কেনেকৈ খাম। আটিকাৰ ভিতৰত চুলি এডাল আছে, সেই দেখি অপবিত্ৰ হোৱা বাবে জগন্নাথ মহাপ্ৰভুৱে সেই প্ৰসাদ গ্ৰহণ কৰা নাই। তোমালোকে মিছাতে তাক প্ৰসাদ বুলি ভোজন কৰিলা। দক্ষিণ শাৰীৰ আটিকাৰ ভাও অনাই ভঙাই চোৱা মোৰ কথা সঁচা নে মিছা তাৰ প্ৰমাণ পাবা।"এই কথা বৰ পাণ্ডাক কোৱা হলত, পাণ্ডাই সেই আটিকা আনি ভাঙি দুটুকুৰা কৰি দেখিলে, শঙ্কৰদেৱৰ কথা সঁচা, তাত এডাল চুলি ওলাই পৰিল। এই কাণ্ড দেখি তিনিউজনে আচৰিত মানি শঙ্কৰক ঈশ্বৰশক্তি বুলি প্ৰশংসা কৰিলে।

এদিন ৰাতি তেওঁলোকেৰে সৈতে তাত একে ঠাইতে শঙ্কৰ বহি থাকোতে দেৱদাসীসকলে নৃত্য গীত কৰিছিল। এজনী নৰ্ত্তকীয়ে পাক দিওঁতে তাইৰ ঘূৰী উৰি গ'ল। ঠিক সেই সময়তে শঙ্কৰদেৱে ঈষৎ হাস্য কৰিলে। এনেকুৱা হোৱা দেখি চৈতন্য, হৰিব্যাস আৰু ৰামানন্দ তিনিও জনে শঙ্কৰক কলে যে "তুমি হাঁহিলা কিয়? তোমাৰ মনৰপৰা এতিয়াও মায়া গুচা নাই।" শঙ্কৰদেৱে উত্তৰ দিলে "তোমা-লোকে অবিবেকী ভাৱে এনে কথা কৈছা। কিয় হাঁহিলো শুনা,—পাণ্ডা এজনে মহাপ্ৰভুৰ পৰমান্ন পাক কৰিছে। পৰমান্ন লৰাওঁতে তপত পৰমান্নৰ চিটিকনি আহি তেওঁৰ হাতত পৰিলত, তেওঁ তাক চেলেকি খাই খলে। তপত পৰমান্নৰ পোৰণিৰ জ্বালত পাণ্ডাই চটফট কৰিছে। পাণ্ডাক মতাই অনাই চোৱাহক, তেওঁৰ হাতৰ ছাল গুচিছে।"এই কথা বৰ পাণ্ডাক কোৱা হলত, পাণ্ডাই গৈ চালত, সেই ৰান্ধনি পাণ্ডাক সেইমতে পাই তেওঁৰ হাতত ধৰি সভাৰ মাজলৈ আনিলে।

ইয়াৰ পিছত চাৰিওজনে চাৰিউজনৰ ভাৱকে [illegible] পৰিচয় পালে; আৰু চৈতন্য, হৰিব্যাস আৰু ৰামানন্দ তিনিওজনে শঙ্কৰৰ মত শুদ্ধ বুলি স্বীকাৰ কৰি আৰু সেই দিনাৰপৰা বাদ নকৰা হল। এইদৰে [illegible] দিন চাৰিওজনে শাস্ত্ৰালাপ কৰি শাস্ত্ৰৰ কথা বিচাৰ আৰু আলোচনা কৰি থাকি, যোড়শ দিনাৰ ৰাতি চাৰিওজন একেলগে জগন্নাথৰ মন্দিৰলৈ গ'ল। তেতিয়া মন্দিৰৰ ভিতৰত জগন্নাথদেৱৰ মহাপূজাৰ কাৰ্য্য সমাপনৰ অন্তত নিৰ্জ্জন হৈ, দুৱাৰৰ কপাট বন্ধ কৰা হৈছিল। দুৱৰীয়ে তেওঁলোকক দুৱাৰমুখত কোন বুলি সুধিলত, শঙ্কৰদেৱে কলে, "আমি কৃষ্ণক দৰ্শন কৰিবৰ নিমিত্তে মন্দিৰৰ ভিতৰলৈ যাবলৈ আহিছোঁ।" দুৱৰীয়ে এই কথা শুনি হৰি হৰি স্মৰি কলে "ভাল সময়ত আহিলাহঁক! জগন্নাথ মহাপ্ৰভুৱে এতিয়া শয়ন কৰিছে, ব্ৰহ্মা আহিলেও ভিতৰলৈ যাব নোৱাৰে, মই কেতিয়াও দুৱাৰ মেলি দিব নোৱাৰো।"চৰিত্ৰত আছে, দুৱৰীৰ এই কথা শুনি চাৰিউজন চতুৰ্ভুজ হল। দুৱৰীয়ে তেওঁলোকক তেনে হোৱা দেখি কলে "এই ক্ষেত্ৰ স্থানত কীট পৰ্য্যন্ত সকলোকে দেৱতাসকলে চতুৰ্ভুজ দেখে, এতেকে, সকলোৰে চাৰিভুজ আছে; ইয়াকে মোক দেখুৱাই হবলা তোমালোকে ভিতৰলৈ যাবলৈ আহিছা?" এই কথা শুনি শঙ্কৰদেৱ আৰু চৈতন্য-দেৱ দুয়ো অষ্টভুজ হল। তেতিয়া দুৱৰীয়ে আচৰিত মানি তেওঁলোকক দণ্ডৱৎ হৈ সেৱা কৰি দুৱাৰ মেলি দিলত, চাৰিউজনে মন্দিৰৰ ভিতৰত সোমাল। ৰাতিপুৱা পাণ্ডাসকলে যেতিয়া মঙ্গল আৰতি [illegible] নিমিত্তে মন্দিৰৰ দুৱাৰ মেলিলে, তেতিয়া তেওঁলোকে দেখিবলৈ পালে যে শঙ্কৰদেৱ মন্দিৰৰ ভিতৰত [illegible] বহি আছে। তেওঁলোকে ৰাতিৰ ঘটনা দুৱৰীৰ মুখে শুনি আশ্চৰ্য্য হৈ শঙ্কৰদেৱৰ আগত প্ৰেমভাৱে [illegible] আৰু শঙ্কৰদেৱে তেওঁলোকক ভক্তি ধৰ্ম্মৰ উপদেশ দিলে। পাণ্ডাসকলৰ মতে চৈতন্য, ৰামানন্দ, আৰু হৰিব্যাস জগন্নাথদেৱৰ শৰীৰত লীন হল, শঙ্কৰদেৱৰ ভক্তসকলৰ মতে তেওঁলোক শঙ্কৰদেৱৰ গাত লয় হল।

পুৰীৰপৰা শঙ্কৰদেৱে ভক্তসকলেৰে সৈতে উভটি আহি মহানদী পাই, সাতদিনৰ মূৰত বৃন্দাবনলৈ যোৱা বাট পালেহি। তেওঁলোকে সেইদিনা [illegible] ৰাতি থাকি, পিছদিনা আন নাম-প্ৰসঙ্গাদি [illegible] কৰি বৃন্দাবনলৈ যাবলৈ সাজু হৈ ওলাইছে, [illegible] দেখা গ'ল, যে আন দিনা মাধৱদেৱে [illegible] পাছে পিছে আহে, কিন্তু সেইদিনা তেওঁৰ [illegible] উজানলৈ অহাৰ বাট ধৰিলে। তেওঁ [illegible] কৰা দেখি, শঙ্কৰদেৱে তেওঁক সুধিলে "[illegible]

মাধৱদেৱে তেওঁৰ ৰচিত ঘোষা শাস্ত্ৰত এই শ্লোকৰ পদ কৰি এনেকৈ লেখিছে—
"হৰিৰ গুৰুৰ যাৰে ক্ষেত্ৰৰ প্ৰসাদ [illegible] ব্ৰহ্মা ইন্দ্ৰ আদি দেৱতাক।
ক্ষেত্ৰৰ মাজত ক্ষেত্ৰ প্ৰসাদ [illegible] যোগ্য হঁও আমি কেমতে নৰক॥"

আহি কেনেকৈ দেখোঁন। বৃন্দাবনলৈ যোৱা বাট এৰি বাট ভাঙিহে দেখোঁন ?” এইকথা শুনি মাধৱদেৱে আঁঠু কাঢ়ি বিনয় কৰি কলে “বাপ, বৃন্দাবনলৈ যাবৰ মোৰ সকাম নাই। তোমালোকাই দশম শাস্ত্ৰৰ অনুসাৰে পদ কৰি বৃন্দাবনৰ লীলাৰ সকলোবিলাক সুন্দৰকৈ বৰ্ণনা কৰিছে, তাক পঢ়ি শুনি আমাৰ মন উপশম হৈ আছে। বৃন্দাবনত এতিয়া পূৰ্ব্বৰ চিহ্ন নাই, কালক্ৰমত সেইবোৰ বিভিন্ন হৈ পৰিছে, দশম শাস্ত্ৰৰ বৰ্ণনা মতে বৃন্দাবন এতিয়া নেদেখিলে শাস্ত্ৰৰ কথাত আমাৰ মনত শঙ্কা উপজিব পাৰে, গতিকে দশমতে যি বৃন্দাবন দেখিছোঁ সেয়েই যথেষ্ট, সেইদেখি আৰু বৃন্দাবন দৰ্শন কৰিবলৈ মোৰ মন নাই। আপোনাৰ চৰণত বাপ, এই প্ৰাৰ্থনা, যেন এই ভৃত্যৰ মনোৰথ পূৰণ কৰে।” এই কথা শুনি শঙ্কৰদেৱে হাঁহি কলে “বঢ়াৰ পো যলৈ নাবায় তালৈ আমাৰ যোৱা মুখুৰায়। এতেকে আমি সকলো উভতিলেহে যাম।”

বাটত যাওঁতে এদিন ৰদ ৰদত পুৰি-ভেই তেওঁলোক দৈৱ পাৰৰ এজোপা বৰ গছৰ তলত বহি জিৰাইছিল; পিয়াহত সকলোৰে মুখ শুকাই গৈছিল। এনেতে মাধৱদেৱে খেকেবাৰ বৰি উলিয়াই আনি দিলত, তেওঁলোকে বৰি মুখত লৈ পানী খাই সুস্থ হৈ পৰিল। শঙ্কৰদেৱে মাধৱৰ এনে সুবুদ্ধি দেখি তেওঁক প্ৰশংসা কৰিবলৈ ধৰিলে। সুখেৰে গৈ তেওঁলোকে কিছুদিনৰ মূৰত ভাগীৰথী পাই তাত স্নান দান আদি কাৰ্য্য কৰি বল।

এদিন যাওঁতে বাটত, বলোৰাম আতৈয়ে পানী-কাৰ্য্যৰ নিমিত্তে অলপ পিছ পৰিছিল। দুটা খটে তেওঁক অকলশৰীয়াকৈ পাই গৰুৰ হাড়েৰে কোবাই মাৰিবলৈ ধৰিছিল। বলোৰামৰ চিঞৰ শুনি শঙ্কৰদেৱে কেইজন মান ভকতসকলক লৰুৱাই পঠিয়াই দিলত, তেওঁলোকে বলোৰামক খট দুটাৰ হাতৰপৰা এৰুৱাই খট দুটাক বান্ধি মাৰ-ধৰ কৰি শঙ্কৰদেৱৰ ওচৰলৈ। লৈ গলত, শঙ্কৰদেৱে সিহঁতক মাৰিবলৈ আৰু কি কলে “বলোৰামক সোধা, তেওঁ ইহঁতক কি শাস্তি দিবলৈ কয়, তাকে কৰিবা।” বলোৰামে কলে “মোৰ অদৃষ্টত লিখন আছিল মই মাৰ খালোঁ, ইহঁতৰ কি দোষ? ইহঁতক এৰি দিলেই ভাল।” এই কথা শুনি শঙ্কৰদেৱে বলোৰামক প্ৰশংসা কৰি কলে—“হৰিৰ ভকতে পৰৰ অপকাৰ অলপো চিন্তিবে, নিজৰ সুখ দুখলৈ অলপো কাণ নকৰি, সুখ-দুখ সমানি সৰ্ব্বতিকালে ভূতদয়া আচৰণ কৰে।” ইয়াৰ পিছত গৈ থাকোঁতে বৰ ৰদৰ তাপত দুখ পাই শঙ্কৰদেৱৰ ভকতসকলেৰে সৈতে এজোপা গছৰ চাঁত জিৰাবলৈ বহিল। গছৰ তলত বহি শঙ্কৰদেৱে ভকতসকলৰ আগত টিপচী চৰাইৰ এটি দৃষ্টান্ত কলে—“এদিন এটি টিপচী চৰাইয়ে এঠাইত পৰি থকা জোকাৰি ধূলি লৈ অকণমান খোৰ এটি কৰিছিল, সেই খোৰতে কপৌ এটা পৰি ধূলি লৈ গলত সি আৰু অলপ ডাঙৰ হল। এটা মৰাই আহি সেই খোৰত ধূলি লৈ তাক আৰু ডাঙৰ কৰিলে। ইয়াৰ পিছত এদিন বৰষুণ হলত, সেই খোৰত পানী বলত, এটা বৰাগাহৰি আহি তাতে লেটি ললে। বৰাই তাত লেটি লোৱাত সেইটো আৰু বহল আৰু দ হৈ পৰিল। এদিন তাতে মহ গোটা-চেৰেক পৰি লেটি ললত সি এটা ডাঙৰ মুলি হৈ পৰিল। ইয়াৰ পিছত হাতী আহি তাত পৰিবলৈ ধৰিলত লাহে লাহে সি মুলি শুচি এখন ডাঙৰ সৰোবৰ হৈ পৰিলত, মানুহে আহি সেই সৰোবৰত গা ধুই তাৰ পানী খাবলৈ ধৰিলে। প্ৰজাৰ এই উপকাৰ হোৱাত যি পুণ্য সঞ্চয় হৈছিল, সেই পুণ্য সেই টিপচীয়ে পাবলৈ ধৰিলে। এতেকে সিদিনা যি জনী বুঢ়ীয়ে আমাক প্ৰথমতে চাউল দি আনক আহি দেখুৱালে তাৰ পুণ্য সেই বুঢ়ীৰ।”

ইয়াৰ পিছত তেওঁলোক কামৰূপ ৰাজ্যত সোমালহি। এদিন পথত ভোজনৰ দ্ৰব্য চুকুৱাত, শঙ্কৰদেৱে মাধৱক কলত মাধৱে ক'ত চাউল-সিধা পোৱা যায় বিচাৰি গাৱঁলৈ গ'ল। তেওঁ এঘৰত সোমাই দেখিলে, এজনী বুঢ়ীয়ে কান্দিব লাগিছে। বুঢ়ীয়ে কিয় কান্দিছে তাৰ কাৰণ সোধাত, বুঢ়ীয়ে তেওঁক কলে যে তাইৰ একোটি পো বণলৈ গ'ল, আজিলৈকে সি উভতি নাহিল। সি মৰিয়েই গল নে, তাৰ কি হল, ইমান দিনে একো খবৰ নাপাই তাই শোকত কান্দিছে। এই কথা শুনি মাধৱদেৱে বুঢ়ীক কলে, “বুঢ়ী তই একো চিন্তা নকৰিবি, নাকান্দিবি, তোৰ পুতেৰ নিশ্চয় ঘৰলৈ উভতি আহিব, মই তাক দেখি আহিছো।” বুঢ়ীয়ে ব্যস্ত হৈ কলে “কিজানি তুমি মিছাকৈয়ে কৈছা। বাৰু তাক দেখিবলৈ কেনে কোৱাঁচোন?” মাধৱদেৱে কলে “তাৰ বৰণ ক'লা, নাকটো চেপেটা, দাঁত উজলা, মূৰটো হেচা-মৰা, বছৰ পঁচিশ মান হব।” পুতেকৰ এই বৰ্ণনা শুনি বুঢ়ীয়ে আনন্দিত হৈ কলে “হয়, মোৰ পোটো এনেকুৱাই। তুমি মোপাই মোক ভাল বাতৰিটি দিলা।” এই বুলি বুঢ়ীয়ে কৈ থাকোঁতেই অকস্মাৎ তাইৰ সেই পুতেক আহি ওলালহি। বুঢ়ীৰ আনন্দৰ পাৰ নাইকিয়া হল। বুঢ়ীয়ে মাধৱদেৱক বৰ কৃতজ্ঞভাৱে সেৱা কৰি অনেক চাউল-লোণ আনি দিলেহি। ভকতসকলে সেইবোৰ ভাৰ বান্ধি আনি শঙ্কৰদেৱৰ ওচৰত দিলত, শঙ্কৰদেৱে মাধৱক সেইবোৰ কেনেকৈ পালে শুধিলত, মাধৱে সকলো বৃত্তান্ত কলে। শঙ্কৰদেৱে শুনি বিৰক্ত হৈ মাধৱক কলে “বঢ়াৰ

গো, তুমি মিছা কলা।" মাধৱে উত্তৰ দিলে "বাপ, মই মিছা কোৱা নাই ; —'ঈশ্বৰৰ অংশ জীৱ নাহিকে মৰণ। ভকতি নাহিকে দেহ ভৈল কাল বৰ্ণ। ঈশ্বৰ নিৰ্ম্মাল্য সিতো খাণ নকৰই। সি হেতু চেপেটা নাক ভৈলন্ত তথায় ॥ তোমাৰ নামক কদাচিতো মুখে নাগে। উজলা দশন তাৰ মুখত প্ৰকাশে ॥ মাথা গোট তত্ব পদে সেৱা নকৰিল। সি কাৰণে মাথা গোট চেপা মৰা ভৈল ॥ কোনোৱা জন্মত আমি লাগ পাইছোঁ তাক। কোন খানি কৈয়া আছোঁ আমি মিছা বাক ॥ ভক্তসমে অনু নুঠি ভুঞ্জিবা গোসাঁই। এতেকতে স্ববাসনা লভিবেক তাই ॥" মাধৱদেৱে আৰু কলে যে "মই বুঢ়ীক তাইৰ পুতেকৰ কথা কোৱাৰ পিছতে, পুতেক আহি তাত ওলালহিগৈই।' এই ব্যাখ্যা শুনি শঙ্কৰদেৱে কলে "বক্তাৰ পোৱে তেওঁৰ কথা মেলিলেই পোনাগ তেনিয়েই মিল হৈ যায়।" ইয়াৰ পিছদিনা বাটত যাওঁতে এক সন্ন্যাসীয়ে তেওঁলোকৰ লগ ধৰিলে। সন্ন্যাসীক দেখি শঙ্কৰ মাধৱ দুয়ো তাক ভণ্ড বুলি জানি অলপ হাঁহিলে। কিন্তু ৰামৰায়ে তাক আচল সন্ন্যাসী বুলি ভাবি তাৰ লগে লগে যাবলৈ ধৰিলে। শঙ্কৰদেৱে ৰামৰায়ক সন্ন্যাসীৰ লগত যাবলৈ হাক দি কলে যে সি ডকাইত, তাৰ লগত তুমি নাযাবা। ৰামৰায়ে কিন্তু সেই কথা নুবুজি তাক প্ৰকৃত সন্ন্যাসী ভাবি তাৰ কথাত মোহ গৈ ফান্দত পৰি তাৰে সৈতে যাবলৈ ধৰিলে। শঙ্কৰদেৱে মাধৱদেৱ আৰু আন আন ভক্তসকলেৰে সৈতে গধূলি গৈ এঠাইত বলগৈ, কিন্তু ৰামৰায়ে সন্ন্যাসীটোৰ লগত গৈ তাৰে সৈতে আন এঠাইত বলগৈ। খাইদাই ৰাতি ৰামৰায়ে তাৰে সৈতে একে ঘৰতে শুই থাকোঁতে, তেওঁৰ টোপনি আহিলত, সন্ন্যাসীটোৱে তেওঁক বান্ধি পেলালে। ৰামৰায়ে তেতিয়া ৰবকৈ চিঞৰিবলৈ ধৰিলত, শঙ্কৰদেৱে দূৰৈৰপৰা সেই চিঞৰ শুনি মাধৱদেৱ আৰু আন আন ভকতসকলক পঠিয়াই দিলত, তেওঁলোকে ধৰ ধৰ বুলি লৰি অহা গম পাই সন্ন্যাসী ডকাইতে ৰামৰায়ক এৰি তেওঁৰ বস্ত্ৰ-বেহানি যি পালে সোপাকে লৈ পলাই গুচি গ'ল।

ডকাইতটোৱে সৰ্ব্বস্ব লুটি লৈ ৰামৰায়ক দুৰ্ব্বুদুৰ্দ্দং কৰা দেখি শঙ্কৰদেৱে তেওঁক নিজৰপৰা প্ৰবৰ্ত্তিবলৈ দ্ৰব্য বস্ত্ৰ দিলে।

শঙ্কৰদেৱে এইদৰে গৈ বাহিৰ বিলাইত পালত, দেখিলে যে তাত দোকান-পোহাৰ একো নাই। তেওঁ মাধৱদেৱক কলে যে ভোজনৰ দ্ৰব্য ঘৰৰ আজি কি দিহা হব, দোকান-পোহাৰ ইয়াত দেখোন একো নাই। এই কথা শুনি মাধৱদেৱে ৰামৰায়ক লগত লৈ এখন গাৱঁত সোমালগৈ। গাৱঁত সোমায়েই তেওঁ সেই গাৱঁৰ কি নাম, আৰু তাৰ কোন ঠাকুৰীয়া ইত্যাদি শুধি জানিলে যে, গাওঁখনৰ নাম ঠাকুৰীয়া, আৰু সি চিলাৰায় ৰজাৰ মহল। এই কথা শুনি মাধৱে কাৰ্য্য সিদ্ধি হব ভাবি, ঠাকুৰীয়াক ভবিয়াই কলে, "ৰজাৰ শত্ৰুবেক আহিছে, তই দেখোন একো যোগান ধৰা নাই, একো খবৰ কৰা নাই ?" এই কথা শুনি ঠাকুৰীয়াই ভয় খাই লৰালৰিকৈ চাউল-দিধা আদি দ্ৰব্যবস্তু যোগাই দিলে। পিছদিনা তিনিপৰীয়া বেলিকা শঙ্কৰদেৱ মাধৱদেৱে ভকত সকলেৰে সৈতে পাটবাউসী থান পালেহি।

তেওঁলোকক দেখি সকলোৱে আনন্দৰ পাৰ নোহোৱা হল। শঙ্কৰদেৱৰ পত্নীয়ে লৰালৰিকৈ পানী আনি স্বামীৰ পদ প্ৰক্ষালন কৰি দিলে ; ঠাকুৰসকলে পিতৃৰ চৰণত পৰি প্ৰণাম কৰিলে। মাধৱদেৱেও গুৰুপত্নীৰ চৰণত পৰি সেৱা কৰিলে ; গুৰুপত্নীয়ে মাধৱক আশীৰ্বাদ কৰি ধন্য ধন্য বুলি প্ৰশংসা কৰি কলে 'বাপু, তোমাৰ কৃপাত মই স্বামী-গুৰুক আকৌ পালো, মই এইখিনি কালত মৰি আছিলো, আজিহে তোমাৰ কৃপাত মই জীৱ পালোঁ।"

ইয়াৰ পিছত মাধৱদেৱে শ্ৰীৰাম আৰু নাৰায়ণ-দাস আতাৰে সৈতে নিজৰ ঠাই গণককুচিলৈ গ'ল, আৰু নাৰায়ণ ঠাকুৰে মাধৱক ঘৰত থৈ তেওঁৰ নিজৰ গৃহলৈ গ'ল।

শঙ্কৰদেৱে পাটবাউসী পালত হৰিদেৱ দামোদৰ-দেৱ আদি আহি তেওঁক তীৰ্থৰ সকলো কথাবাৰ্ত্তা সুধি শুনি পৰম আনন্দ লাভ কৰিলে। তিলাৰ ব্ৰাহ্মণসকল তেওঁৰ ওচৰলৈ আহিল ; শঙ্কৰদেৱে যত যি হৈছিল ব্ৰাহ্মণসকলৰ আগত সকলো নাহে নাহে বিবৃত্তি কৰি শেষত কলে যে "সৰ্ব্বতীৰ্থশিৰোমণি নাম-ধৰ্ম্ম সাৰ। নাহব কিছুৰ তীৰ্থ যজ্ঞ ব্ৰতাচাৰ ॥ জানিয়া ব্ৰাহ্মণ নাম-ধৰ্ম্মক কৰিয়ো। নামৰ প্ৰসাদে তোৰা বৈকুণ্ঠে চলিয়ো।" এই কথা শুনি ব্ৰাহ্মণসকলে শাস্ত্ৰৰ শ্লোক মাতি বিচাৰ কৰি নানা-প্ৰকাৰ অৰ্থ ব্যাখ্যা কৰিবলৈ ধৰিলত, শঙ্কৰদেৱে সেই শ্লোকবোৰৰ ভিন্ন ভিন্ন আচল অৰ্থ কৰি ব্ৰাহ্মণ-সকলক বুজাই দিলে ; তেতিয়া ব্ৰাহ্মণসকলে আৰু মাতিব নোৱাৰা হৈ লাজ পাই উঠি ধৰাধৰি গ'ল।

অষ্টাদশ অধ্যায়

স্বধৰ্ম্ম আৰু গুৰুৰ অৰ্থে প্ৰাণ বিসৰ্জ্জন কৰোঁতাসকল

ব্ৰাহ্মণসকলে শঙ্কৰদেৱৰ ওচৰত তৰ্কত হাৰি লাজ পাই ভোটা হৈ গৈ, নানা প্ৰকাৰ কূট বুদ্ধি পাঙিৰ লৈ তেওঁৰ ওপৰত জলাত কৰিবলৈ দিব

কৰিলে। তেওঁলোকে আলচ কৰি শঙ্কৰৰ নামে ৰজাৰ আগত মিছা গোচৰ দিবলৈ বেহাৰলৈ গ'ল। বিলৰ পানীত পেলোৱাৰ পিছত মাটি খহি যোৱা এখন কালীৰ প্ৰতিমাৰ চোহোজা-জুমুখিটো বিলৰপৰা তুলি লৈ গৈ তেওঁলোকে ৰজাক দেখুৱাই গোচৰ দিলে যে "মহাৰাজ শঙ্কৰৰ কাৰ্য্য চাওক। শঙ্কৰে অনাচাৰ কৰি আপোনাৰ ৰাজ্য ভল নিয়ালে। তেওঁ বেদ নামানে, গীতা শাস্ত্ৰ নেমানে, তুলসীৰ পোৱা নলয়, তাৰ নাম নুশুনে, যাগ যজ্ঞ পিতৃ শ্ৰাদ্ধ সকলোকে নিষেধ কৰিলে, আৰু তেওঁৰ কথা শুনি সকলো লোকে সেইবোৰ কৰিবলৈ এৰিলে।" এই কথা শুনি নৰনাৰায়ণ ৰজাই ব্ৰাহ্মণসকলক ক'লে যে "মই শঙ্কৰক ভালকৈ জানো; তোমালোকে যদি এইবোৰ অভিযোগ প্ৰমাণ কৰিব নোৱাৰা তেন্তে পিছত তাৰ ফল পাবা।" ব্ৰাহ্মণসকলে আকৌ উৰ্দ্ধবাহু হৈ ক'লে, "মহাৰাজ, শঙ্কৰে ধৰ্ম্মৰ বিৰোধী ধৰ্ম্ম প্ৰচাৰ কৰিছে; তেওঁ শাস্ত্ৰ নামানে, তেওঁৰ কোনো আচাৰ বিচাৰ নাই; এক শৰণীয়া বুলি তেওঁ তেওঁৰ ধৰ্ম ৰখানে, কিন্তু তাৰ ফলত সকলো লোক ভ্ৰষ্টাচাৰী হৈ পৰিছে। মহাৰাজ আপুনি যদি ইয়াৰ বিচাৰ নকৰে তেন্তে আপোনাৰ জীৱন আয়ু নষ্ট হ'ব।" এইদৰে চানকৈ নানা কথা শঙ্কৰৰ বিপক্ষে ব্ৰাহ্মণসকলে কৈ ৰজাক উদ-গালত, ৰজাৰ বৰ খং উঠি, তেতিয়াই ৰজাই মন্ত্ৰীক ক'লে, "চোৱাঁচোন, শঙ্কৰে কেনেকৈ মোৰ ৰাজ্যত ধৰ্ম্মলোপ কৰিছে। শঙ্কৰক মই নিশ্চয় বিনাশ কৰিম। শঙ্কৰৰ ছালেৰে ডামামা ছোৱাম আৰু হাড়েৰে ডামামা বজোৱাম, মঙহ হেঙাল কুকুৰক খুৱাম। মন্ত্ৰী তুমি এতিয়াই পঠিয়াই শঙ্কৰক ধৰাই অনোৱা, কন্তেকো বিলম্ব নকৰিবা।" ৰজাৰ আজ্ঞা শুনি তেতিয়াই মন্ত্ৰীয়ে দুজন দূতক শঙ্কৰক ধৰি নিবলৈ পাচিলে। ৰজাৰ এই কথা ভায়েক শুক্লধ্বজে শুনি বৰ বেজাৰ পাই, অলপমান পৰ ভাবি থাকি, পিছত মনতে কৰ্ত্তব্য থিৰ কৰি, আঠজন দূত, নাও নাৱৰীয়াৰে সৈতে, শঙ্কৰদেৱক নৰা-নৰিকৈ তেওঁৰ ওচৰলৈ আনিবলৈ পঠিয়াই দিলে। তেওঁ মাজীক ডাঙাই ডাঙাই হুকুম দিলে যে সিহঁতে বাতিয়ে দিনে বেগা-বেগিকৈ নাও বাই গৈ, ৰজাৰ দূতে শঙ্কৰক ধৰাৰ আগেয়েই যেন তেওঁক নাৱত তুলি তেওঁৰ ওচৰলৈ লৈ আহে। সিহঁত শঙ্কৰৰ ওচৰ পোৱাৰ আগেয়েই যদি ৰজাৰ দূতে সেইখিনি পাই শঙ্কৰক ধৰে গৈ তেন্তে সিহঁতে ৰজাৰ দূতৰ হাতৰপৰা শঙ্কৰক বলেৰে কাঢ়ি আনিব। যদি সিহঁতে তেওঁৰ হুকুমত শঙ্কৰদেৱক ৰজাৰ দূতে পোৱাৰ আগয়ে বা পিছতো সাৱধানে আনিব নোৱাৰে, তেন্তে সিহঁতক তেওঁ নিশ্চয় গুৰুতৰ দণ্ড দিব। সিহঁতে ৰজাৰ দূতক দেখুৱাই, শঙ্কৰদেৱৰ গাত সুতাৰ কাৰ্‌যণা সম্পৰ্কে জগৰ আছে বুলি কৈ বন্দী কৰিব। কিন্তু সাৱধান, শঙ্কৰে যেন বাটত কোনো দুখ বা অপমান নাপায়। চিলাৰায়ৰ এই হুকুমতে তেওঁৰ আঠজন দূত আৰু মাজীহঁতে দুদিনে পাটবাউসী পাই, শঙ্কৰদেৱক এই বাতৰি কলত, শঙ্কৰদেৱে হাঁহি সিহঁতক অনুমতি দিলে আৰু সিহঁতে তেওঁক দেখুৱাই বন্দী কৰিলে। সেই সময়তে নৰনাৰায়ণ ৰজাৰ দূত দুটা আহি তাত উপস্থিত হ'ল। ৰজাৰ দূতে শঙ্কৰক ধৰিবলৈ হাত মেলোতেই, চিলাৰায় দেৱানৰ দূতে সিহঁতক চকা মাৰি খেদি আঁতৰাই কলে "যদি তহঁতে ভালে ভালে সাৰি যাবৰ আশা কৰিছ, তেন্তে খবৰদাৰ, শঙ্কৰদেৱৰ গাত হাত নিদিবি; এওঁক আমি ছোট ৰজাৰ হুকুমমতে আগেয়ে বন্দী কৰিছো; সুতাৰ ধনৰ বাবে এওঁৰ গাত জগৰ আছে।"

ৰজাৰ দূতক এইদৰে খেদাই দি, শুক্লধ্বজৰ দূতে শঙ্কৰদেৱক অতি সন্তৰ্পণে নাৱত তুলি লৈ আহিল। শঙ্কৰদেৱৰ লগত মাত্ৰ চাৰিজন ভকত আহিছিল। শুক্লধ্বজে শঙ্কৰদেৱক অতি সমাদৰ কৰি, তেওঁৰ ফুলনিৰ ৰহাত গুপুতে থৈ দিলে।

মল্ল নৃপতিৰ দূত দুজনে তেতিয়া কি কৰিব, কি হ'ব, ভাবিবলৈ ধৰিলে; কাৰণ সিহঁতে শঙ্কৰক ধৰি নিব নোৱাৰিলে ৰজাই সিহঁতক যে কটাব, সেইটো এক প্ৰকাৰে থিৰাং। এইদৰে সিহঁতে বাটত ভাবি গৈ থাকোঁতে, সিফালৰপৰা নাৰায়ণ ঠাকুৰ আৰু গোকুলচান্দক অহা দেখিলে। দূত দুটাই, তেওঁলোক কোন আৰু ক'লৈ যায় বুলি তেওঁ-লোকক সুধিলত, নাৰায়ণ ঠাকুৰে ক'লে যে তেওঁ-লোক শঙ্কৰদেৱৰ ভক্ত, শঙ্কৰদেৱৰ খবৰ ল'বলৈ আহিছে; কাৰণ তেখেত ক'ত আছে, ক'লৈ গ'ল, তেওঁলোকে একো বাতৰি নাইপোৱা। এইকথা শুনি ৰজাৰ দূত দুটাই শঙ্কৰদেৱৰ সলনি তেওঁলোক দুজনাকে ধৰি লৈ গৈ নৰনাৰায়ণ ৰজাৰ আগত হাজিৰ কৰি দিলে গৈ। দূতে ৰজাৰ আগত ক'লে যে, সিহঁত পোৱাৰ আগেয়েই শঙ্কৰ কৰবালৈ পলাই গ'ল; শঙ্কৰৰ এই দুজন প্ৰিয় শিষ্য; সেই দেখি সিহঁতে এওঁলোকক ধৰি আনিছে। দূতৰ কথা শুনি নৰনাৰায়ণ ৰজাই তেওঁলোক দুজনক সুধিলে, "তহঁতে ক, শঙ্কৰ ক'লৈ গ'ল?" তেওঁ-লোকে ক'লে "আমি একো নাজানো।" ৰজাই তেওঁলোকক ক'লে "শঙ্কৰৰ কেনে ব্যৱহাৰ চাইক-চোন, সকলো প্ৰজাক শঙ্কৰে কেনে অধৰমী কৰিছে; কাকো পূজা হোম আদি কৰিব নিদিয়ে। ব্ৰাহ্মণ-সকলে শঙ্কৰ অধৰ্মী বুলি মোৰ আগত গোচৰ দিছে; এই কথা সঁচা নে মিছা তহঁতে ঠিক কৈ কচোন?" ৰজাৰ এই প্ৰশ্ন শুনি তেওঁলোকে দুজনে হাতযোৰ

কৰি ক'লে "মহাৰাজ, শঙ্কৰৰ শুদ্ধ মত ব্ৰাহ্মণ সকলোৱে জানে। ব্ৰাহ্মণসকলে মিছা কথা কৈ পাতক সঞ্চয় কৰিছে মাথোন।" তেওঁলোকৰ মুখৰপৰা এই কথা শুনি ৰজাই ক্ৰোধ কৰি দূতক ক'লে "ইহঁতে মিছা কথা কৈছে। সকলোৱে শঙ্কৰ অনাচাৰী বুলি কয়। ইহঁতক শাস্তি কৰিবলৈ লৈ যা, যেতিয়া-লৈকে ইহঁতে সঁচা নকয় তেতিয়ালৈকে ইহঁতক শাস্তি কৰি থাকিবি।" ৰজাৰ হুকুম শুনি দূতে তেওঁলোকক বাহিৰলৈ আনি শাস্তি দি ক'লে "শঙ্কৰ অধৰ্ম্মী অনাচাৰী বুলি কইক, নক'লে তহঁতে জীৱনৰ আশা এৰি দে।" ঠাকুৰ আতাই উত্তৰ দিলে "শঙ্কৰৰ ধৰ্ম্মমত অতি শুদ্ধ; গীতা ভাগৱত শাস্ত্ৰৰ অনুযায়ী।" যতবাৰ নাৰায়ণ ঠাকুৰে শঙ্কৰৰ শুদ্ধ মত বুলি কয়, ততবাৰ দূতে তেওঁলোকক মাৰে আৰু হাত ভৰি মূৰ গা আদিত ভয়ানক শাস্তি দিয়ে। নাৰায়ণ ঠাকুৰৰ যি অঙ্গতে দূতে শাস্তি দিয়ে, তেওঁ তেতিয়াই তাৰ বিষয়ে কয়,—"আতা বোলে হস্তে কৃষ্ণ কৃতাক নকৰে॥ পাৱে গুৰু ঘৰে নত কৰয় গমন। মাথা গোটে গুৰু পাৱে নকৰে বন্দন॥ সি কাৰণে অঙ্গ সবে শাস্তিক পাৱয়। ভাল হৈছে কৰ শাস্তি যতেক পাৰয়॥" মাৰি মাৰি দূত হাইবাণ হৈ শেহত সিহঁতে অঙ্কৰা-খৰি আনি তাৰে তেওঁ-লোকক কোবাবলৈ ধৰিলে। বৰকৈ পীড়া পাই, এবাৰ গোকুলচান্দে দূতক ক'লে, "আৰু, নামাৰিবি ঐ। বাৰু কওঁ!" এই কথা শুনি ঠাকুৰ আতাই ততালিকে গোকুলচান্দক সাৱধান কৰি দিলে—"গোকুল তুমি কি কৰ খুজিছা? গুৰুৰ কি বিষম কথা তুমি দেখিছা যে তুমি ক'ব খুজিছা?" দূতে ঠাকুৰ আতাৰ এইষাৰ কথা শুনি ঠাকুৰ আতাক বৰকৈ এমাৰ মাৰিলে; সেই মাৰত তেওঁৰ বাওঁ-হাতৰ বাহুৰ ওচৰৰ হাড় ভাগি গ'ল। তথাপি তেতিয়াও ঠাকুৰ আতাই দৃঢ়ভাৱে ক'লে "গুৰু সদাচাৰী। গুৰুৰ প্ৰতি কৃত্য কাম নকৰি মোৰ হাতে পীড়া পাইছে, বেছ হৈছে পাওক।"

এইদৰে ৰজাৰ দূতে ঠাকুৰ আতা আৰু গোকুল-চান্দ আতৈক ওঠৰ দিন শাস্তি দিলে, তথাপি তেওঁ-লোকে কৈ আছিল যে তেওঁলোকৰ গুৰু শঙ্কৰদেৱ সদাচাৰী; শঙ্কৰৰ মত শুদ্ধ; ধৰ্ম্ম শ্ৰেষ্ঠ।

ইমান শাস্তি দিয়ো দূতে তেওঁলোকৰ মুখৰপৰা একাষাৰ কথা শঙ্কৰদেৱৰ বিপক্ষে উলিয়াব নোৱাৰি নিৰুপায় হৈ শেহত ৰজাক কলেগৈ যে সিহঁতে তেওঁলোকক যিমান শাস্তি দিলে কৈ অঁতাব নোৱাৰে, তথাপি তেওঁলোকে এক বাক্যে শঙ্কৰক সদাচাৰী আৰু শঙ্কৰৰ মত শুদ্ধ বুলিহে কয়; এই কথাৰ বাহিৰে তেওঁলোকে একো নকয়। ৰজাই দূতৰ মুখে এই কথা শুনি যদিও আচৰিত মানিছিল, তথাপি হৰি গৰমলিক আদেশ কৰিলে যে তাই "ইহঁতক লৈ গৈ ভোটক বেচি দে গৈ। ইহঁতৰ এনে অৱস্থা শুনিলে তেহে আন লোকে ভয় খাই আৰু শঙ্কৰৰ ধৰ্ম্মমত গ্ৰহণ নকৰিব।" গৰমলিয়ে ৰজাৰ আদেশ শুনি তেওঁলোকক বান্ধি ভোটক বেচিবলৈ লৈ গ'ল। ঠাকুৰ আতাৰ ভাৰ্য্যা স্বামীৰ পিছে পিছে বেহাবলৈকে আহিছিল; তেওঁ স্বামীৰ দুখ নিজ চকুৰেই দেখি অন্তৰে অন্তৰে আছিল; আৰু ইমান বিপদত স্বামীৰ ঈশ্বৰত আত্মসমৰ্পণ আৰু গুৰুত অচলা ভক্তি দেখি তেওঁ নিজক এনেকুৱা পুৰুষৰ ভাৰ্য্যা বুলি ধন্য মানি গোটেই ভোগৰ কালত পৰম কাকুতিভাৱে ঈশ্বৰৰ চৰণত স্বামীৰ ৰক্ষাৰ্থে প্ৰাৰ্থনা কৰি আছিল। যেতিয়া তেওঁ দেখিলে যে তেওঁৰ স্বামীক ভোটত বেচি দিবলৈ লৈ যোৱা হৈছে, তেওঁ নিজৰ মন দৃঢ় কৰি সঙ্কল্প কৰিলে যে তেওঁ স্বামীৰ লগতে যাব আৰু মৰিব লাগিলে স্বামীৰ লগতে মৰিব, এই ভাবি তেওঁলোকৰ পিছে পিছে গ'ল। হৰি গৰমলিয়ে ঠাকুৰ আতা আৰু গোকুলচান্দক লৈ গৈ হাট পোৱাই এটা ঘৰৰ ভিতৰত লোৰ শিকলিৰে দুইয়ো ভৰি বান্ধি দুইকো পেলাই থৈ দিলে। নাৰায়ণ ঠাকুৰৰ ভাৰ্য্যাও ওচৰতে থাকিল। ভৰিত শিকলিৰ কট্‌কটীয়া বান্ধ, ভালকৈ তেওঁলোকে শুবও নোৱাৰে। কেৱল ঘনে ঘনে হৰি নাম উচাৰণ কৰি দুইজন বন্দী সেই ভাৱে পৰি ৰল। গধূলি হলত দয়ো নাম প্ৰসঙ্গ কৰিবলৈ ধৰিলে আৰু তাৰ পিছত লগত থকা পুথি এখন পাঠ কৰিবলৈ ধৰিলে দেখি গৰমলিয়ে বৰ আচৰিত মানি তেওঁলোকক সুধিলে "অহৰ্নিশে তোমালোকে ঈশ্বৰৰ নাম লব লাগিছা; কিন্তু ক'তা, ঈশ্বৰে তোমালোকক দেখোন নাৰাখে, মাত্ৰ দুখ ভুঞ্জি মৰিছা?" এই কথা "শুনিয়া ঠাকুৰে পাছে দিলেক উত্তৰ। জগত পালন কৰে যাহাৰে ঈশ্বৰ॥ কৰ্ম্মবশে সুখ দুঃখ দেহৰ আছয়। কৰ্ম্ম অনুসৰি তাক ভুঞ্জিবে লাগয়॥ বিনাশী দেহৰ অৰ্থে ভক্তে নবাঞ্ছয়। ঈশ্বৰৰ ইচ্ছা মাত্ৰ কৰিয়া থাকয়। ঈশ্বৰৰ পাদপদ্মে মতি নাছাৰোক। তাহান ভক্তৰ সঙ্গে সদা সঙ্গ হোক॥ এহি মাত্ৰ বাঞ্ছা কৰি নাম লৈয়া থাকোঁ। তান প্ৰীতি বাজে বাঞ্ছা নাহিকয় একো॥" এই উত্তৰ শুনি গৰ-মলিয়ে একোকে নকৈ ওচৰৰে ঘৰ এটাত শুই থাকিল গৈ। ৰাতি দুপৰত নাৰায়ণ ঠাকুৰ আৰু গোকুলচান্দৰ ভৰিৰ লোৰ শিকলি কেনেবাকৈ ছিগি পৰিলত, নাৰায়ণ ঠাকুৰে তেতিয়াই তেওঁলোকৰ প্ৰহৰীক জান দিলে যে তেওঁলোকৰ ভৰিৰ শিকলি ছিগি গৈছে। প্ৰহৰীয়ে আহি তেনে হোৱা দেখি তেতিয়াই গৰমলিক খবৰ দিলত, আকৌ গৰমলিয়ে দৃঢ় লোৰ শিকলিৰে তেওঁলোকক বান্ধিলে। ইয়াৰ

কিছুমান সময়ৰ পিছত আকৌ নাৰায়ণ ঠাকুৰে প্ৰহৰীক মাতি ক'লে যে আকৌ তেওঁলোকৰ ভৰিৰ শিকলি টুকুৰাটুকুৰ হৈ ছিগিল। প্ৰহৰীয়ে এই সংবাদ গৰমলিক দিলত তেওঁ আহি দেখি আচৰিত মানি মনতে ভাবিবলৈ ধৰিলে, যে এওঁলোক ঈশ্বৰ কৃষ্ণৰ ভকত, ৰজাই নাজানি মিছাতে এওঁলোকক কষ্ট দিছে। অৱশ্যে ৰজাৰ আদেশ মতে কাৰ্য্য কৰিবই লাগিব, নতুবা মোৰ ৰক্ষা নাই; সেইদেখি এওঁলোকক ভোটক বেচিবই লাগিব।

ৰাতিপুৱা গৰমলিয়ে ভোট মাতি আনি তেওঁলোক দুইকো ছকুৰি টকাত ভোটক বেচি দিলে। ইয়াৰ পিছত তেওঁলোকক চাৰিটা ভোটে সিহঁতৰ পৰ্ব্বতৰ ফালে লৈ গ'ল। বাটত যাওঁতে বন্দী দুজনে মাত্ৰ ৰাম ৰাম হৰি হৰি উচ্চাৰণ কৰি গৈছিল, তাৰ বাহিৰে আৰু তেওঁলোকৰ মুখত আন কথা একো নাছিল। চৰিত্ৰত আছে যে, কিছুমান দূৰ গৈ ভোট কেইটাই এন্ধাৰ দেখিবলৈ ধৰিলত সিহঁতে ভাবিলে এই দুটা দেও-মানুহ,- এই দুটাক নি সিহঁতে কি কৰিব। ইয়াকে ভাবি সিহঁতে আলচ কৰি, নাৰায়ণ ঠাকুৰ আৰু গোকুলচান্দক ওভোতাই আনি গৰমলিক দি সিহঁতৰ ধন ফিৰাই ললে। সেই চাৰিটা ভোটৰ এটাৰ নাম হামা আৰু এটাৰ নাম পামা আছিল।

ইয়াৰ পিছত গৰমলিয়ে ৰখীয়াহঁতক হুকুম দিলে যে "এওঁলোকৰ বান্ধ-চাটবোৰ খুলি দে। এওঁলোক দুয়ো পৰম বৈষ্ণৱ মহাসাধু, এওঁলোক কেতিয়াও নপলায়।" এই বুলি গৰমলিয়ে তেওঁলোকক মুকলি কৰি ফিৰাই ৰজাৰ ওচৰলৈ লৈ আহিল। ঠাকুৰ আতাৰ ভাৰ্য্যা এই গোটেইখিনি কালত স্বামীৰ পিছে পিছে আছিল। ঠাকুৰ আতাই উভতি আহোঁতে বাটত ভাৰ্য্যাক পৰীক্ষা কৰিবলৈ ক'লে—"গুৰুজনৰ নিমিত্তে মই বৰ দুখ পালোঁ; তুমিও নানা দুখ ভুঞ্জিলা।" এই কথা শুনি তেওঁৰ ভাৰ্য্যাই আচৰিত মানি ক'লে "হা কি কৰিলা স্বামী এমত বুলিয়া॥ অপমান কৰিবাক গুৰুক নাপায়। শাস্ত্ৰ সাধু কহিছন্ত দঢ়াই দঢ়াই॥ শৰীৰত আছে সুখ দুঃখ নানামত। অনিত্য শৰীৰ দুঃখ হোৱয় সতত॥ গুৰুৰ কাৰণে যিবা দুঃখ আছা পাই। অনেক জন্মৰ ভাগ্য হৈয়াছে উদয়॥" ভাৰ্য্যাৰ এনে তেজস্বী আৰু সাধু উত্তৰ শুনি নাৰায়ণ ঠাকুৰে তেওঁক ধন্য ধন্য বুলি প্ৰশংসা কৰিবলৈ ধৰিলে। তিনি দিনৰ বাট উভতি অহাৰ পিছত ৰাতি গৰমলিয়ে এটা স্বপ্ন দেখি, ৰাতিপুৱাই নাৰায়ণ ঠাকুৰ আৰু গোকুলচান্দৰ ওচৰলৈ আহি তেওঁৰ দোষৰ নিমিত্তে ক্ষমা প্ৰাৰ্থনা কৰি ক'লে "ৰজাৰ আজ্ঞাত নিৰুপায় হৈ মই তোমালোক দুজন হৰিভক্তক দুখ দিলোঁ। অজিতাপী মূৰ্খ ৰজাই লগনীয়া দুষ্ট বামুণসকলৰ কথা শুনি এনে কাম কৰিছে।" ইয়াৰ পিছত গৰমলিয়ে তেওঁলোকক ৰজাৰ আগত উপস্থিত কৰি আনুপূৰ্ব্বিক বৃত্তান্ত জনালত ৰজাই পৰম বিস্ময় মানি তেওঁলোকক এৰি দিবলৈ হুকুম দিলে। গৰমলিয়ে তেতিয়াই তেওঁলোকক বাহিৰলৈ আনি এৰি দি ক'লে "মোক অনুগ্ৰহ কৰি আপোনাসকলে আপোনাসকলৰ গুৰু শঙ্কৰদেৱক দেখুৱাওক, তেওঁক দেখি মই পৰম কৃতাৰ্থ হওঁ।"

সেই সময়ত ঠাকুৰ আতাৰ স্ত্ৰীয়ে এটি পুত্ৰ সন্তান প্ৰসৱ কৰিছিল। ৰজাই নাৰায়ণ ঠাকুৰ আৰু গোকুলচান্দক যিদিনা মুক্তি দিলে, সেইদিনা নাৰায়ণ ঠাকুৰৰ ভাৰ্য্যাৰ অশৌচৰ অন্ত। ঠাকুৰ আতাই ভাৰ্য্যাৰে সৈতে নৱজাত শিশুক লৈ শঙ্কৰদেৱৰ ওচৰ পালেগৈ। শঙ্কৰদেৱে সদাচাৰ কৰি যঁতাই দুৱৰপৰা ৰিণিকি ৰিণিকি দেখিলে যে নাৰায়ণদাস ভাৰ্য্যা পুত্ৰৰে সৈতে তেওঁৰ ফাললৈ আহিছে। তেওঁ সেইফালে আনন্দিত মনে চাই থাকোঁতেই নাৰায়ণদাসে ওচৰ চাপি আহি তেওঁৰ চৰণত দণ্ডৱতে পৰি কান্দিবলৈ ধৰিলে, আৰু নৱজাত শিশুক তেওঁৰ আগত নি থলে। শঙ্কৰদেৱে নাৰায়ণক আশ্বাস কৰি ক'লে, "বাপু, তুমি মোৰ নিমিত্তে বৰ দুখ পালা।" নাৰায়ণে ক'লে 'বাপ, আপোনাৰ সেৱা ভালকৈ কৰা নাছিলোঁ সেই অপৰাধতহে দুখ পালোঁ। আপোনাৰ কৃপাত এতিয়া সকলো দুখ তৰিলোঁ আৰু আপোনাৰ চৰণ সেৱা কৰিবলৈ আকৌ পালোঁ। দুখতে আপোনাৰ দাসৰ এইটি ল'ৰা জন্ম হল, সেইদেখি ইয়াৰ নাম দুখীয়া থৈছোঁ॥" শঙ্কৰদেৱে ক'লে "নাৰায়ণ, যেতিয়া ইয়াৰ জন্ম হল, তেতিয়া তোমাৰ দুখ গুচিছে তুমি আনন্দ পালা; এতেকে ইয়াৰ নাম পৰমানন্দ দিলোঁ। ইয়াৰ জনমত মোৰ এজন ভকত বাঢ়িল।" এই বুলি তেওঁ তেওঁৰ দক্ষিণ পদৰ আঙুলি এটি পৰমানন্দৰ মূৰত দি তাক আশীৰ্ব্বাদ কৰিলে।

এনে সময়তে হৰি গৰমলি শঙ্কৰৰ ওচৰত ওলালহি। গৰমলিয়ে শঙ্কৰৰ চৰণত পৰি স্তুতি কৰিবলৈ ধৰিলত, ঠাকুৰ আতাই তেওঁৰ বিষয়ে সকলো কথা শঙ্কৰদেৱৰ আগত জনাই ক'লে যে "এওঁক, বাপ, আপোনাৰ সেৱকৰ ভিতৰত গণ্য কৰি লওক। এওঁ আমাৰ দুখত বহুত দয়া প্ৰকাশ কৰিছিল আৰু ৰজাৰ আগতো আমাৰ কাৰণে হৈ অনেক কথা কৈছিল। বৰ সঙ্কটৰ সময়তো এওঁৰ অনুগ্ৰহত আমি সুখে আছিলোঁ। এতেকে বাপ, এওঁক চৰণত ঠাই দিয়ক।" গৰমলিয়ে শঙ্কৰদেৱক ক'লে "মই যি দিনা ৰাতি স্বপ্নত দেখিলোঁ সেই

দিলাঁহঁপৰা নিশ্চয় কৰি আপোনাৰ চৰণত শৰণ পশিলোঁ।" শঙ্কৰদেৱে ঠাকুৰ আতাৰ প্ৰাৰ্থনা মতে হৰি গৰমলিক শৰণ দি অনুগ্ৰহ প্ৰকাশ কৰিলে।

কিছুদিনৰ পিছত, শঙ্কৰদেৱে নাৰায়ণ ঠাকুৰ আৰু গোকুলচান্দক তেওঁলোকৰ ঘৰলৈ যাবলৈ বিদায় দিলে। হৰি গৰমলিয়ে নিতৌ শঙ্কৰদেৱৰ ওচৰলৈ আহি তেওঁক সেৱা ভক্তি কৰি থাকিবলৈ ধৰিলে।

ঊনবিংশ অধ্যায়

ৰাজ সভাত শঙ্কৰৰ বিচাৰ, জয় আৰু প্ৰতিষ্ঠা

লাহে লাহে গৰমলিৰ মুখে নৰনাৰায়ণ ৰজাই শুনিবলৈ পালে, কেনেকৈ শুক্লধ্বজে শঙ্কৰদেৱক তেওঁৰ দূতৰ হাতৰপৰা কাঢ়ি আনি নিজৰ ঘৰত লুকাই থৈ দিছে। তেওঁ এদিন সভাৰ মাজত স্পষ্টকৈ কলে যে "মোৰ ননুৱে মোক ভাণ্ডি শঙ্কৰক আনিলে ভালেই হল। এতিয়া ননুৱে শঙ্কৰক এবাৰ মোৰ ওচৰলৈ পঠিয়াই দিলেই ভাল হয়, মইও শঙ্কৰক লগ পাব খোজোঁ, তেওঁৰ সৈতে ভালকৈ আলাপ কৰিবৰ মোৰ মন গৈছে। শুনিছোঁ তেওঁ হেনো বিবিধ শাস্ত্ৰত পণ্ডিত, বিস্তৰ গীত ভটিমা কবিতা আৰু শাস্ত্ৰ কৰিছে, তেওঁৰ মত কোনেও খণ্ডন কৰিব নোৱাৰে, তেওঁ নো কেনেমতে হৰিভক্তি প্ৰচাৰ কৰিছে, তেওঁৰে সৈতে অলাপ কৰি মোৰ জানিবৰ মন গৈছে। এতেকে দূত এজন যোৱা, মোৰ ভাই-ৰজাক কোৱাঁ গৈ, তেওঁ যেন শঙ্কৰক মোৰ ওচৰলৈ পঠিয়াই দিয়ে। ননুক কবা, তেওঁ যেন মোৰ আন প্ৰকাৰ মতলব বুলি নাভাবে।" ৰজাৰ এই কথা দূতে গৈ চিলাৰায়ক কলত, চিলাৰায়ে দূতক কলে যে "দদাই আগেয়ে শঙ্কৰৰ বিষয়ে যেনে যেনে কথা কৈছিল সেইবোৰ কথালৈ মন কৰিলে মোৰ মনত শঙ্কা হয়; সেইদেখি দদাই তেওঁৰ এজন স্নেহৰ পাত্ৰ লোকক মোৰ ওচৰলৈ পঠিয়াই দিয়ক; সেই লোকজনক মই ৰাখি থৈহে শঙ্কৰক দদাৰ ওচৰলৈ পঠিয়াম। যদি দদাই শঙ্কৰক কোনো দুখ দিয়ে, তেনেহলে মই দদাৰ সেই লোকজনক কটাম।"

ভায়েকৰ এই কথা নৰনাৰায়ণে দূতৰ মুখে শুনি তেতিয়াই এজন তেওঁৰ স্নেহৰ পাত্ৰক ভায়েকৰ ওচৰলৈ পঠিয়াই দিলে। শুক্লধ্বজে সেই পাত্ৰজনক নিজৰ ওচৰতে ৰাখি শঙ্কৰদেৱক ৰজাৰ ওচৰলৈ পঠিয়াই দিলে; আৰু তেওঁ যোৱাৰ ডাক নিযুক্ত কৰিলে যাতে শঙ্কৰদেৱৰ বিষয়ে খবৰ আজৰি নহৈছে

তেওঁ পাই থাকে। শঙ্কৰদেৱৰ আহিবৰ শুনি নৰনাৰায়ণ ৰজাই চন্দন-চৰাত সভা পাতি বহিল আৰু বাদী ব্ৰাহ্মণসকলকো তালৈ আহ্বান কৰি আনিলে। শঙ্কৰদেৱে ৰাজদ্বাৰ পাই তাত খিয় দি ৰলত, দুৱৰীয়ে সেই সংবাদ ৰজাক দিলে। ৰজাই শঙ্কৰদেৱক সভালৈ আনিবলৈ আদেশ দিলে। শঙ্কৰদেৱে ধীৰে ধীৰে গৈ ৰজাৰ সিংহাসনৰ ওচৰ পাই তাতে তস্থি ৰলত তেওঁক উঠি ওচৰলৈ আহিবলৈ মাতিলে। সাত খলপী ভেটিৰ ওপৰত ৰাজসিংহাসন। তাত উঠি শঙ্কৰদেৱে লাহে লাহে যাবলৈ ধৰিলে। প্ৰত্যেক থাকতে উঠি শঙ্কৰদেৱে নিজৰ ৰচিত এই তোটকটি গাই যাবলৈ ধৰিলে।—

"মধু দানৱ দাৰণ দেৱ বৰং,
বৰ বাৰিজ লোচন চক্ৰধৰং,
ধৰণীধৰ ধাৰণ ধ্যেয় পৰং,
পৰমাধ বিদ্যাগুভ নাশ কৰং,
কৰ চূৰ্ণিত চেদীপ ভূৰি ভগং
ভগ ভাষণ কোহচিচত পদ যুগং,
যুগ নায়ক নাগৰ বিশ ৰুচিং,
ৰুচিৰাংগুপিধান শৰীৰ শুচিং,
শুচি চামৰ বায়ু নিসেব্য তনুং,
তনু মধ্যগ দেহ সুবেশ হনুং,
হনুমন্ত হৰীশ সহায় ৰতং,
ৰতৰাজ পৰায়ণ শক্ৰ নতং,
নত বৰ্ধন স্থূল সুদীৰ্ঘ ভুজং,
ভুজগাধিপ তল্প শয়ানমজং,
অজৰামৰ বিগ্ৰহ বিশ্ব গুৰুং,
গুৰু গোধন কামদ কল্পতৰুং,
তৰুণী মন মোহন সৰ্ব্ব শুভং,
শুভদল দায়ক নীল নিভং,
ইভ কুম্ভজ মৌক্তিক মাল্যবহং,
বহলোৰস নিষ্টদ সৰ্ব্ব সহং,
সহযায়তি পদ্মালাক্ষ চিদং,
চিদানন্দ বিনোদ বেদ বিদং,
বিবুধা মন মণ্ডন কম্বু গলং,
গল শোভিত কৌস্তুভ ভীম বলং,
বলভদ্ৰ সহোদৰ সভ্য বপুং,
বপু নিন্দিত বিশ্ব মুৰাৰি ৰিপুং,
ৰিপু যূথপ যূথপ দৰ্পহৰং,
হৰবৌলী নিযুষ্ট পদাম্বুপৰং,
পৰলোক সহায় সহস্ৰ মুখং,
মুখৰাজি কুলাকুল মাল্য সুখং,
সুখ মোক্ষদ দক্ষ ৰমা ৰমণং,
মনসোপৰিমেয় সহস্ৰ কণং,
কণতোসি নতোস্মি নতোস্মি হৰিং,
হৰিবৈৰী কৃতাসন ভোগ্য হৰিং,

হৰি কিঙ্কৰ শঙ্কৰ ঈশপদে
পদমিচ্ছন্ গায়তিচামৃতদে ॥"

ইয়াৰ পিছত শঙ্কৰদেৱে আৰু এটি ভটিমা গালে,—

"জয় জয় মল্ল নৃপতি ৰসবান।
যাকেৰি গুণগণ নাহিকে সমান ॥"

ইত্যাদি।

এইটো গোৱাৰ পিছত তেওঁ ৰজাক আশীৰ্ব্বাদ কৰিলে। ৰজাই শঙ্কৰদেৱৰ পাণ্ডিত্য, আৰু ধীৰ গম্ভীৰ মনোমুগ্ধকাৰী সুন্দৰ প্ৰশস্ত মূৰ্ত্তি দেখি মোহ গৈ, শঙ্কৰদেৱক সেই তোটয় আৰু ভটিমাৰ অৰ্থ ব্যাখ্যা কৰি কবলৈ কলে, আৰু তেওঁক বহিবলৈ শীঘ্ৰে কম্বল দিবলৈ বাৰে বাৰে আদেশ কৰিলে। ৰজাই পুনঃ পুনঃ "কম্বল আন, কম্বল আন" কৰিছে, আৰু ৰজাৰ দূতে খপৰ্ জপৰ লগাই লৰি কম্বল বিচাৰি ফুৰিছে। শঙ্কৰদেৱৰ লগত তেওঁৰ কম্বল "কমলি ধৰা পৰমানন্দ আতৈয়ে" লৈ গৈছিল, কিন্তু পৰমানন্দই সেই কম্বল লৈ ব্ৰাহ্মণসকলৰ পিছফালে কঁপি-জপি আছে। ইফালে কম্বল অনাত বেলি হোৱা দেখি ৰজাই প্ৰচণ্ড বাণীৰে "কম্বল আন" "কম্বল আন" লগাই দিছে। ৰাজ সভাত এই দৃশ্য ব্ৰাহ্মণসকলে এনে বিসদৃশ ঘটা দেখি ৰজাঘৰীয়া কম্বললৈ বাট নাচাই লৰালৰিকৈ কমলি-ধৰা পৰমানন্দৰ হাতৰ কম্বলখনকে আনি হতাহতি কৰি দিলত গৰমিলে লৰালৰিকৈ তাকে পাৰি দিলে। ৰজাৰ আদেশমতে শঙ্কৰদেৱ সেই কম্বলতে বহিল। শঙ্কৰদেৱে আসন গ্ৰহণ কৰি কলে যে পণ্ডিত ব্ৰাহ্মণসকলে প্ৰথমতে তোটয় ভটিমাৰ অৰ্থ কওক। ব্ৰাহ্মণসকলে তাৰ অৰ্থ ভাবি মৌন হৈ থকা দেখি ৰজাই শঙ্কৰদেৱক অৰ্থ ব্যাখ্যা কৰিবলৈ কৈ ব্ৰাহ্মণসকলক সম্বোধন কৰি কলে "ভাল, ভাল, তোমালোকে প্ৰথমতে হটিলা।" শঙ্কৰদেৱে ৰাজ আজ্ঞা পালন কৰি তাৰ চাৰি প্ৰকাৰ অৰ্থ কৰি শুনালত, ৰজাই পৰম প্ৰীতি লভি শঙ্কৰদেৱক প্ৰশংসা কৰিবলৈ ধৰিলে। ইয়াৰ পিছত ৰজাই শঙ্কৰদেৱক কলে "শুনা শঙ্কৰ, ব্ৰাহ্মণসকলে তোমাৰ বিৰুদ্ধে মোৰ ওচৰত গোচৰ দি কৈছে যে তুমি হেনো তুলসী নোলোৱা, গীতা শাস্ত্ৰ নামানা, পূজা হোম যাগ-যজ্ঞ সকলোকে বিসৰ্জ্জন কৰিছা, দেৱতাৰ প্ৰতিমা ভাঙিছা; এইবোৰ সঁচা নে মিছা, মোক ভালকৈ কোৱাঁ?" শঙ্কৰদেৱে কৰযোৰ কৰি উত্তৰ দিলে- "মহাৰাজ এইবোৰ কথা সত্য নহয়। মই হৰিৰ ভক্ত, তুলসী নহলে হৰিৰ পূজাই নহয়; মোৰ মূৰত তুলসীৰ মালা আছে দেখক।" এই বুলি তেওঁ মূৰৰ চুলিৰ ভিতৰৰ পৰা তুলসীৰ মালা উলিয়াই ৰজাক দেখুৱালে; আৰু কলে—"মই গীতাৰপৰা আনি কৃষ্ণত একশৰণ ধৰ্ম্ম প্ৰচাৰ কৰিছোঁ। গীতা আৰু ভাগৱত শাস্ত্ৰই আমাৰ ধৰ্ম্মৰ শাহ; ভাগৱতৰপৰা ন বিধ ভক্তি আনি প্ৰকাশ কৰিছোঁ, সেই ভক্তিৰ ভিতৰতে পূজা আছে; কিন্তু বিষ্ণুৰ বাহিৰে আন দেৱী দেৱ মোৰ পূজ্য নহয়; সাত্বত তন্ত্ৰ, পঞ্চৰাত্ৰ তন্ত্ৰ, আৰু বেদ বেদাঙ্গৰো মত সংগ্ৰহ কৰি মোৰ প্ৰচাৰিত ধৰ্ম্মৰ অন্তৰ্গত কৰিছোঁ; এনে স্থলত মই কেনেকৈ অনাচাৰী হলোঁ কব নোৱাৰো" এই উত্তৰ শুনি ব্ৰাহ্মণসকলৰ মুখ কলা পৰি গৈ তেওঁলোকে অসংলগ্ন কথাৰে ৰজাক বুজাবলৈ চেষ্টা কৰা দেখি ৰজাই কলে "বাৰু আজিলৈ সভা বিসৰ্জ্জন কৰিলোঁ, কাইলৈ এইবোৰ বিষয়ে ভালকৈ মীমাংসা কৰা যাব।" এই বুলি ৰজাই সভা ভঙ্গ কৰি ভিতৰলৈ গল, আৰু আন আন সকলো ঘৰাঘৰি গল। শঙ্কৰদেৱে সেইদিনা তেওঁ থকা ঠাইলৈ গলত, চিলাৰায় আৰু ৰাণী ভুবনেশ্বৰীয়ে তেওঁৰ জয় বাৰ্ত্তা শুনি পৰম সন্তোষ পালে।

পিছদিনা প্ৰভাততে শঙ্কৰদেৱে স্নান-দান কৰি ৰজাৰ ঘৰলৈ যাবলৈ প্ৰস্তুত হলত চিলাৰায়ে তেওঁৰ লগত মানুহ-দুনুহ দি মহা আড়ম্বৰ কৰি তেওঁক পঠিয়াই দিলে। শঙ্কৰদেৱ ৰাজসভাত প্ৰৱেশ কৰিলত ৰজাই তেওঁক আসন গ্ৰহণ কৰিবলৈ কলে। শঙ্কৰদেৱ আগদিনাৰ ঠাইতে বহিল।

ৰজাই ব্ৰাহ্মণসকলক শুধিলে, "এতিয়া তোমালোকে কোৱাঁচোন, শঙ্কৰে কেনেকৈ কি বিষম কৰিলে?" এই কথা শুনি চিলাৰ ব্ৰাহ্মণসকলে কলে "মহাৰাজ, শঙ্কৰে প্ৰতিমা ভাঙিলে, তাক আনি আমি মহাৰাজক ইয়াৰ আগেয়ে দেখুৱাইছোঁ।" শঙ্কৰদেৱে উত্তৰ দিলে "মহাৰাজ, এওঁলোকে পাটবাউসীত মোৰে সৈতে শাস্ত্ৰৰ তৰ্ক কৰিবলৈ গৈছিল, শাস্ত্ৰৰ অৰ্থ কৰিব নোৱাৰি লাজ পাই মোৰ ওচৰৰ পৰা আহি, পূজাৰ পিছত উটাই দিয়া কালীমূৰ্ত্তি এখনৰ চোহোজা এটা পানীৰপৰা তুলি আনি মহাৰাজক দেখুৱাইছিল। প্ৰবৃত্তি আৰু নিবৃত্তি মাৰ্গৰ এই দুই প্ৰকাৰ শাস্ত্ৰ আছে, দুই বিধেই বেদৰ অন্তৰ্গত। কিন্তু নিবৃত্তি মাৰ্গ বেদৰ ৰহস্য। সদায় মন সংযত কৰি নিবৃত্তি মাৰ্গত চলাটো মানুহৰ উচিত; কিন্তু প্ৰবৃত্তি মাৰ্গত চলাসকলক আৰু তেওঁলোকে পূজা অৰ্চ্চনা কৰা দেৱতাসকলক নিবৃত্তি মাৰ্গত চলোঁতাসকলে কেতিয়াও নিন্দাও নকৰিব বন্দনাও নকৰিব, কেৱল কৃষ্ণকেহে অৰ্চ্চনা আৰু ভক্তি কৰিব; কৃষ্ণৰ প্ৰসাদত লোক সংসাৰসাগৰ তৰিব। গীতা ভাগৱত ৰকপৰাই মই মোৰ ধৰ্ম্মৰ বীজ গ্ৰহণ কৰিছোঁ, সেই গীতা ভাগৱতেও ইয়াকেহে কয়; এইৰে মোৰ দ্বাৰাই প্ৰচাৰিত ধৰ্ম্মমত, এয়ে তাৰ শিক্ষা। এইকথা আজানি

আৰু নানা মিছা কথা কৈ মোৰ গাত কলঙ্ক আৰোপ কৰিবলৈ চেষ্টা কৰিছে। এই ব্ৰাহ্মণসকলে ভালকৈ শাস্ত্ৰৰ তত্ত্ব নাজানে, শাস্ত্ৰৰ শ্লোকৰ, বাক্যৰ অৰ্থ বা শব্দৰ প্ৰকৃত অৰ্থ পৰ্য্যন্ত এওঁলোকৰ জনা নাই, অথচ এওঁলোকে পৰৰ বিপক্ষে এনেবিলাক নিন্দা প্ৰচাৰ কৰি ফুৰে। আৰু মহাৰাজ, মই এওঁলোকক সোধোঁচোন, এওঁলোকে কওক—'দ্বিজবন্ধু' কাক বোলে ?"

ব্ৰাহ্মণসকলে উত্তৰ দিলে "বিধৱাৰ পুত্ৰক দ্বিজ-বন্ধু বোলে।" এই উত্তৰ শুনি শঙ্কৰদেৱে ৰজাক সম্বোধন কৰি কলে "মহাৰাজ, শুনক এতিয়া ; এওঁলোকে নিজক পণ্ডিত বোলাই ফুৰে, অথচ শাস্ত্ৰৰ সামান্য শব্দ এটাৰে মানে নাজানে। মহাৰাজ দ্বিজবন্ধু মানে অধম দ্বিজ। যিসকলে কন্যা বিক্ৰি কৰে, নিজৰ নিত্যকৰ্ম্ম নাচৰে, তেওঁলোককে দ্বিজ-বন্ধু অৰ্থাৎ অধম দ্বিজ বোলে। বাৰু আকৌ এওঁ-লোকক সোধোঁ,—নখ, কেশ, আৰু দন্ত শুচি নে অশুচি ?" ব্ৰাহ্মণসকলে উত্তৰ দিলে, সেই এটাইবোৰ অশুচি। শঙ্কৰদেৱে কলে, "সেইবোৰও শুচি।" এই কথা শুনি ব্ৰাহ্মণসকলে গিৰ্জ্জনি মাৰি হাঁহি ক'লে "ভাল কলা, ভাল কলা, নখ, চুলি আৰু দাঁত শুচি।" শঙ্কৰদেৱে ঈষৎ হাঁহি ক'লে—"ভাৰতত জন্ম লভি মানুহ কৰ্ম্মৰ পাত্ৰ হয়। আৰু মানুহ মাত্ৰই নিশ্চয় কৃষ্ণত ভকতিৰো পাত্ৰ। মানুহে ব্যাঘ্ৰাদিৰ নখ শুদ্ধ কৰি তাত সোণখটাই লৈ তাক ডিঙিত পিন্ধে। হাতীৰ দাঁতেৰে ঈশ্বৰৰ সিংহাসন নিৰ্ম্মাণ কৰা হয় আৰু চামৰেৰে মহাৰাজসকলৰ গা আৰু দেৱতাৰ মূৰ্ত্তি-সকলৰো শৰীৰ ব্যজন কৰা হয়। আপোনাসকলে প্ৰকৃত অৰ্থ নাজানি মহাৰাজৰ আগত কেনেকৈ সেইবোৰ অশুচি বুলিলে ?"

কামৰূপীয়া অৰ্থাৎ অসমীয়া ব্ৰাহ্মণসকলে এইদৰে প্ৰত্যেক কথাতে শঙ্কৰদেৱক জিনিব নোৱাৰি লাজ পাই ৰজাক ক'লে যে "মহাৰাজ, শঙ্কৰে কোৱাৰ বাহিৰেও আন পুথি বিস্তৰ আছে ; সেইবোৰত অৱশ্যে আমাৰ সিমান দখল নাই ; এতেকে মহাৰাজে দেশদেশান্তৰৰপৰা পণ্ডিতসকলক অনাওক, তেহে শঙ্কৰে ভঙ্গ দিব।" এই কথা শুনি নৰনাৰায়ণে নিমন্ত্ৰণ কৰি কাশী আৰু প্ৰয়াগৰ পৰা তৰ্কত নিপুণ পণ্ডিত ব্ৰাহ্মণ অনেক অনালে। বিদেশী পণ্ডিতসকলে ধ্বজা বানা তুলি বেহাৰত উপস্থিত হ'লত, ৰজাই তেওঁলোকক থাকিবলৈ বহা, খাবলৈ সিধা আদি দি ৰাখি, এদিন চন্দন-চৰাত দৰবাৰ কৰি, শঙ্কৰদেৱৰে সৈতে বাদ কৰিবলৈ লগাই দিলে। পণ্ডিতসকলে ন্যায়, বেদান্ত আদি শাস্ত্ৰৰ কথা আদি আদি শঙ্কৰদেৱে সৈতে তৰ্ক আৰু কুতৰ্ক কৰিবলৈ ধৰিলে, শঙ্কৰদেৱে সেইবোৰৰ বিবিধ অৰ্থ কৰি দেখুৱাই সকলোবোৰ খণ্ডন কৰি দিলে। এনেকুৱা হোৱাত ব্ৰাহ্মণ পণ্ডিতসকলৰ ভিতৰত হুলস্থূল লাগি পৰিল, আৰু একো একোজনে ককালত কাপোৰ বান্ধি লৈ উকিয়াবলৈ ধৰিলে। বাৰে বাৰে ৰজাৰ প্ৰবোধ পাইহে বাপুসকল আকৌ ঠাণ্ডা হৈ ৰয়। এনেতে ৰজাৰ সভাৰ পণ্ডিত অনন্ত কন্দলি আৰু সাৰ্ব্বভৌম ভট্টাচাৰ্য্যকে আদি কৰি সভাপতিসকলে বিনয় কৰি ৰজাক ক'লে যে 'মহাৰাজ, আপুনি নিজেই পৰম পণ্ডিত, আপুনি দেখিছে যে শঙ্কৰক তৰ্কত এওঁ-লোকে হৰুৱাব পৰা নাই, আৰু শঙ্কৰৰ মত এওঁলোকে খণ্ডন কৰিব পৰাও নাই আৰু নোৱাৰো, এওঁলোক সকলোৰে উদ্যম শঙ্কৰৰ আগত চূৰ্ণীকৃত হৈ পৰিছে ; এতেকে আৰু কি হ'ব ? তৰ্ক বন্ধ কৰি দিয়াই হে শ্ৰেয়ঃ।" ৰজাই ক'লে "তাক মই ভালকৈ দেখিছোঁ আৰু বুজিছোঁও, তথাপি এওঁলোকৰ আৰু কি সম্বল আছে চাব খুজিছোঁ।" এনে সময়তে ৰজাৰ মলীয়া এটাই এখলা জালুক আনি ৰজাৰ আগত দিলেহি। ৰজাই সকলো ব্ৰাহ্মণক সেই জালুক ভগাই দিয়ালে, আৰু শঙ্কৰদেৱকো দিয়ালে। পোৱা মাত্ৰকে ব্ৰাহ্মণসকলে জালুক দুটা চাইটাকৈ মুখত দি চোবাবলৈ ধৰিলে ; কিন্তু শঙ্কৰদেৱে তেনে নকৰা দেখি ব্ৰাহ্মণসকলে সেইটো ৰজাক দেখুৱাই দি ক'লে "চাওক মহাৰাজ, ৰাজদত্ত দ্ৰব্য আমি পোৱা মাত্ৰকতে ৰজাৰ প্ৰতি সম্মান প্ৰদৰ্শন কৰি ভোজন কৰিলোঁ ; কিন্তু শঙ্কৰে ৰাজ আজ্ঞা উলংঘন কৰি অৱজ্ঞা কৰি নাখালে।" এই কথা শুনি শঙ্কৰদেৱে মাত লগালে, "মহাৰাজ, এওঁলোকে কোৱা কথা ঠিক নহয়। এই জালুকৰ বিষয়ে যি কথা আছে, মই মহাৰাজৰ ওচৰত নিবেদন কৰোঁ। :—জালুক পকিলে লোকে পাৰি আনি চকুত সিজাই, চোতালত মেলি দিয়ে। আদ-শুকান হ'লে তাক ভৰিৰে মৰাই মেলি দিয়ে। তাৰ পিচত ভালকৈ শুকালে তাক ঝাড়ুনীৰে সাৰি আনি আঁঠু আৰু ভৰি লগাই থৈ দিয়ে। এনে স্থলত সেই বস্তুটো সংস্কাৰ নকৰাকৈ ঈশ্বৰক অৰ্পণ কৰিব কেনেকৈ ? আৰু ঈশ্বৰক অৰ্পণ নকৰি তাক খাম কেনেকৈ ? ঈশ্বৰক অৰ্পণ নকৰি যি দ্ৰব্য ভক্ষণ কৰা যায় তাক পুৰীষ সদৃশ বুলি শাস্ত্ৰত কয়। এই কথা হয়নে নহয়, মহাৰাজে ব্ৰাহ্মণসকলক সোধক।" ৰজাই শঙ্কৰৰ এই কথা সত্য নে অসত্য ব্ৰাহ্মণ-সকলক সুধিলত তেওঁলোক মৌন হৈ ৰ'লত, অনন্ত কন্দলিকে আদি কৰি ৰাজসভাৰ ব্ৰাহ্মণসকলে বিনয় কৰি ৰজাক ক'লে যে শঙ্কৰদেৱে কোৱা কথাৰ এক ধনিটো মাথো মিছা নহয়। এইকথা শুনি দেশান্তৰৰ বিপ্ৰসকলে আৰু মহা লাজ পাই উত্তৰ নিদি অধোমুখ হৈ ৰ'ল।

এই দৰে ৰাজসভাত শঙ্কৰদেৱৰে সৈতে ব্ৰাহ্মণসকলে বাদ কৰি কৰি হাৰে। এদিন ৰজা সভাত বহি থাকোঁতে এজনে হৰিণৰ মাংস আনি ৰজাক ভেটিলে। ৰজাই সেই মাংস সভাসদ ব্ৰাহ্মণ আৰু আন আন সকলোকে বিলাই দি সভা ভঙ্গ কৰি ক'লে, "কাইলৈ তোমালোক আকৌ আহিবাহঁক।" শঙ্কৰকো ৰজাই পহুৰ মঙহ অলপমান দিলে। সেই দিনা আৰু পিছদিনাও পহুৰ মঙহ খাই ব্ৰাহ্মণসকলে নবালবিকৈ ৰাজ সভাত উপস্থিত হ'ল, কিন্তু শঙ্কৰদেৱৰ আহোঁতে অলপ বিলম্ব হ'লত, সেই ফেৰা চেলু পায়েই ব্ৰাহ্মণসকলে ৰজাৰ আগত লগালে যে "মহাৰাজ, শঙ্কৰৰ অহঙ্কাৰ চাওক, মহাৰাজে সকলোকে সোনকালে সভালৈ আহিবলৈ ক'লে, কিন্তু শঙ্কৰ এতিয়াও নাহিল, আজি তেওঁৰ আলম-বিলম লাগিল হে"। ঠিক এনে সময়তে শঙ্কৰদেৱ ৰাজসভাত ওলালহি। তেওঁৰ কিয় বিলম্ব হ'ল, এইকথা ৰজাই শঙ্কৰদেৱক সুধিলত, শঙ্কৰদেৱে ক'লে "মহাৰাজ, কালি মোক মহাৰাজে যি বস্তু দিছিল, সেই বস্তু ভোজন কৰি সাৱধানে সদাচাৰ কৰি অহাৰ নিমিত্তেহে পলম হ'ল।" ব্ৰাহ্মণসকলে কলে "অ মি জানো কিবা নোখোৱাকৈ আহিলোঁ ?' শঙ্কৰে এই কথা শুনি ক'লে "মহাৰাজ এওঁলোকৰ মুখ ধুৱলৈ এতিয়াই এওঁলোকক একোচকু পানী আৰু দাঁত খৰিকা দিয়াওক। এওঁলোকে দাঁত খৰিকাই এতিয়াই চকুত মুখ ধোৱকচোন, এওঁলোকৰ কেনে সদাচাৰ চোৱাই যাওক। এইকথা শুনি ৰজাই তেতিয়াই চকু আৰু খৰিকা অনাই ব্ৰাহ্মণসকলক দিয়ালে, শঙ্কৰকো সেইদৰে দিয়ালে। ব্ৰাহ্মণসকলে ৰজাৰ আজ্ঞা মতে খৰিকা লৈ মুখ ধুই কুলকুলীয়াই মুখৰ পানী পেলালত সেই পানী চুকি দেখা গ'ল যে তাত থোপাথোপে পহুৰ মঙহ পৰিছে, আৰু শঙ্কৰদেৱৰ মুখধোৱা পানী নিৰ্ম্মল। এনে দেখি মহাৰাজ নৰনাৰায়ণে মহা ক্ৰোধ কৰি ব্ৰাহ্মণসকলক ক'লে "তোমালোক মহা অনাচাৰী। অথচ তোমালোকে শঙ্কৰক অনাচাৰী বুলি কোৱা ? মই নিঃসন্দেহে বুজিলোঁ—শঙ্কৰৰ মত শুদ্ধ। তেওঁক তোমালোকে মিছাতে নিন্দা কৰিছিলা।'

এইদৰে ব্ৰাহ্মণসকলে শঙ্কৰদেৱৰে সৈতে নৰনাৰায়ণ ৰজাৰ সভাত তিনি মাহ বাদ কৰি শঙ্কৰদেৱৰ হাতত তেওঁলোক সমূলি পৰাস্ত হ'ল। তেওঁলোকে যি তৰ্কক তোলে, শঙ্কৰদেৱে তাক তন্ন তন্নকৈ যুক্তিৰে সংহাৰ কৰে। নৰনাৰায়ণ ৰজাও শাস্ত্ৰজ্ঞ, আৰু সংস্কৃতত পণ্ডিত আছিল। তেওঁ এদিন আঠোটা শ্লোক ৰচনা কৰি আনি ব্ৰাহ্মণসকলক তাৰ অৰ্থ কৰি দিবলৈ ক'লত, ব্ৰাহ্মণসকলে তাৰ কোনো অৰ্থ কৰিব নোৱাৰিলত, তেওঁ শঙ্কৰদেৱক তাৰ অৰ্থ কৰিবলৈ ক'লে। শঙ্কৰদেৱে প্ৰত্যেকটো শ্লোকৰ চাৰি প্ৰকাৰ অৰ্থ কৰি লেখি ৰজাক দিলত, ৰজাই পৰম সন্তোষ পাই শঙ্কৰদেৱক ধন্য ধন্য কৰি শলাগি ক'লে, "শঙ্কৰ পণ্ডিতৰ অগ্ৰগণী, যাৰ দুজন শ্ৰেষ্ঠ ভকতৰ প্ৰভাৱ দেখি তেওঁলোকক ভোটেও নিমি এৰি থৈ গ'ল।" ৰজাই এই বুলি ৰাজসভাত শঙ্কৰদেৱক প্ৰশংসা কৰি, সোণ আৰু ৰাখৰ পতোৱা বহুমূলীয়া সুন্দৰ চোলা এটা তেওঁক বঁটা দি সন্মান কৰিলে। ৰজাই ক'লে "শুনা দেৱ শঙ্কৰ, এই দগলাটো তোমাক পুৰস্কাৰ দিলোঁ, ই তোমাৰ হে যোগ্য, তুমি ইয়াক পিন্ধিবা।" শঙ্কৰে বিনয় কৰি ক'লে "মহাৰাজ, মই ইয়াৰ যোগ্য নহওঁ, তথাপি আপুনি যেতিয়া দিছে, ইয়াক মই কৃতজ্ঞ হৈ গ্ৰহণ কৰিলোঁ।" গধূলি হলত ৰজাই সভা বিসৰ্জ্জন কৰিলে, সভাসদ আৰু ব্ৰাহ্মণসকল ঘৰাঘৰি গ'ল, শঙ্কৰদেৱেও তেওঁৰ থকা ঠাইলৈ যাবলৈ বুলি খোজ ল'লে। তেওঁ বাটত দলং এখন পাই, অনেক লোকৰ লগত সেই দলঙত যেতিয়া উঠিল, তেতিয়াই তেওঁ দেখিলে হঠাৎ দলংখন ভাগি কিছুমান মানুহ পানীত পৰিল, গোটাদেক মানুহ মৰিলও। এজন লোকে ঠিক সেই সময়তে হৰিধ্বনি কৰিলে। শঙ্কৰদেৱে হৰিনাম শুনি ক'লে, "মৃতকসকল তৰিল। এজন লোকে যদি হৰিনাম উচ্চাৰণ কৰে, সেই নাম শুনোতাসকলৰ নিস্তাৰ হয়। ৰজাই দলংখন ভালকৈ নবখা বাবে সি ভাগি পৰি লোক মৰিল, আৰু সেইসকলৰ বধৰ ভাগী তেওঁ হ'ল, এতেকে ৰজাৰ পাপ খণ্ডি পুণ্য ওপজক, এই নিমিত্তে ৰজাই মোক দিয়া চোলাটো সেই হৰিনাম উচ্চাৰণ কৰোঁতাজনক দিওঁ।" এই বুলি সেই সোণৰ গুণাৰ কাম কৰা আৰু ৰাখৰ পতোৱা চোলাটো শঙ্কৰদেৱে সেই লোকজনক দান কৰিলে।

পিছদিনা শঙ্কৰদেৱে স্নান-দান আদি কৰি নিয়মিত সময়ত ৰাজ সভাত উপস্থিত হ'লত, ব্ৰাহ্মণসকলে আগৰদৰে আকৌ তেওঁৰে সৈতে বাদ আৰম্ভ কৰিলে। তেওঁলোকে শাস্ত্ৰৰ যত কূট প্ৰশ্ন কৰে, শঙ্কৰদেৱে সকলোবোৰৰ তন্ন তন্নকৈ উত্তৰ দিয়ে। কিন্তু শঙ্কৰদেৱে যিবোৰ প্ৰশ্ন কৰে তাৰ উত্তৰ তেওঁলোকে দিব নোৱাৰি আৱল-তাৱল বকি শেহত হুইৰাৰি দি হাই কৰি উঠে। এনে দেখি নৰনাৰায়ণ ৰজাৰ ৰং খং উঠি তেওঁ ব্ৰাহ্মণসকলক ক'লে "শুনা শুনা দ্বিজগণ কেনে কৰা গৰ্ব্ব। শঙ্কৰক নপাৰিলা কেনে ভৈলা খৰ্ব্ব॥ পূৰ্ব্বহন্তে জানো শ্ৰীশঙ্কৰ বিজ্ঞৱৰ। মিছাতে গোচৰ দিলা তোমাৰা বৰ্ব্বৰ॥ ব্ৰাহ্মণ নভৈলে দণ্ডৰেলে যোগ্য হোৱা। এতিক্ষণে সভাৰ উঠিয়া আৰে যোৱা॥" এই বুলি ৰজাই পাত্ৰক সম্বোধন কৰি ক'লে,—"শুনা পাত্ৰ, কুতৰ্কী ব্ৰাহ্মণসকলৰ হাতৰপৰা শাস্ত্ৰবোৰ এতিয়াই কাঢ়ি আনি সেইবোৰ খণ্ড খণ্ড কৰি কাটি

নৈভ পেলাই দিয়া।” ৰজাই এই প্ৰচণ্ড আদেশ শুনি পাত্ৰই তেতিয়াই বিপ্ৰসকলৰ হাতৰপৰা তেওঁলোকৰ পুথিবোৰ কাঢ়ি আনি টুকুৰাটুকুৰকৈ কুটি টোৰোচা নৈত পেলাই দিলে। চৰিত্ৰত আছে যে ইয়াৰ পিছৰপৰাই টোৰোচা নৈয়েও সেই স্মৃতি এৰি আন পিনে ভাঙি যাবলৈ ধৰিলে, আৰু সেইটো মৰি স্মৃতি হৈ আজিলৈকে আছে। এতিয়াও তাক কাকত-কুটা বোলে।

শঙ্কৰদেৱৰ মত শুদ্ধ বুলি অনন্ত কন্দলি আদি ৬
বিসকল নিঃস্বাৰ্থ ব্ৰাহ্মণে ক'লে, তেওঁলোকক ৰজাই সন্মান কৰি ধন বস্ত্ৰ আদি উপঢৌকন দিলে। ইয়াৰ পিছত ৰজাই শঙ্কৰৰ প্ৰচাৰিত ভাগৱতী ধৰ্ম শ্ৰেষ্ঠ বুলি বাৰে বাৰে কৈ শঙ্কৰদেৱক সমাদৰ কৰি নিজৰ ঠাইলৈ বিদায় দিলে।

পিছদিনা ৰজা শঙ্কৰদেৱ আৰু সভাসদ ব্ৰাহ্মণ পণ্ডিত সকলেৰে সৈতে সভাত বহি আছে, এনেতে ৰজাই তেওঁৰ সভাপণ্ডিত ব্ৰাহ্মণসকলক সম্বোধন কৰি সুধিলে “ভাগৱত শাস্ত্ৰৰ কথাখিনিৰ সাৰ উদ্ধাৰ কৰি কৃষ্ণৰ গুণ যশ বিস্তাৰ কৰি, একে দিনতে তোমালোকে মোক শুনাব পাৰিবা নে নোৱাৰা?” পণ্ডিতসকলে ক'লে “মহাৰাজ, যদি কোনোবাই ভুৰুকা এটাত হাতী এটা সুমাব পাৰে, তেন্তে আমিও এইকাম কৰিব পাৰিম। কি আচৰিত এনে প্ৰকাণ্ড ভাগৱত শাস্ত্ৰ কোনে একে দিনাই শুনাব পাৰে?” ৰজাই এই উত্তৰ শুনি, তেওঁলোকৰ কোনে কেই দিনত শুনাব পাৰিব বুলি তেওঁলোকক সুধিলত, কোনোৱে ন দিনত, কোনোৱে দহ দিনত, কোনোৱে সাত দিনত, কোনোৱে আঠ দিনত, বহুত প্ৰয়াস কৰিলে পাৰিম বুলি ক'লে। ব্ৰাহ্মণসকলৰ এইকথা শুনি শঙ্কৰদেৱক সুধিলে তেওঁ পাৰিব নে নোৱাৰে। শঙ্কৰদেৱে ক'লে “মহাৰাজৰ আজ্ঞা পালন কৰিব লাগে;—এতেকে মই সাধ্যমতে চেষ্টা কৰি চাম; তেনেহলে মোক আজি ঘৰলৈ যাবলৈ বিদায় দিয়ক।” এই কথা শুনি ৰজাই শঙ্কৰদেৱক যাবলৈ আজ্ঞা দি সভা বিসৰ্জ্জন কৰিলে।

শঙ্কৰদেৱ ঘৰলৈ গৈ নাম-প্ৰসঙ্গ কৰি আহাৰ কৰি থতাই “গুণমালা” শাস্ত্ৰ ৰচনা কৰিবলৈ বহিল। সেই ৰাতি “গুণমালা” শাস্ত্ৰ ৰচনা শেষ কৰি উঠি তেওঁ শয়ন কৰিলে। পিছদিনা পুৱাই উঠি শঙ্কৰদেৱে নিত্যকৰ্ম্ম সমাপন কৰি ভোজন কৰি অভাই ৰাজসভাত উপস্থিত হৈ ওপৰত হাতীৰ মূৰ্ত্তি এটি লেখা ভুৰুকা এটি ৰজাৰ আগত থলে। ৰজাই সেইটো কি বুলি হাতত লৈ ভুৰুকাটিৰ মুখখন মেলি চাই দেখে যে তাৰ ভিতৰত শঙ্কৰদেৱে সেই ৰাতি ৰচনা কৰা “গুণমালা” পুথি। ৰজাই পৰম সন্তোষ পাই এখন সুৱৰ্ণৰ ঠগি অনাই তাত “গুণমালা” শাস্ত্ৰখনি থৈ দি, শঙ্কৰদেৱক শাস্ত্ৰখন পঢ়ি শুনাবলৈ ক'লত, শঙ্কৰদেৱে সভাৰ মাজত “গুণমালা” পুথিখন পঢ়িলে। সকলোৱে সেই সুন্দৰ সংক্ষিপ্ত অথচ প্ৰাঞ্জল আৰু কৃষ্ণৰ গুণ যশেৰে পৰিপূৰ্ণ ৰচনা শুনি, আৰু তাক একে ৰাতিতে কৰি অনা দেখি বিস্ময় মানিলে। ৰজাই শঙ্কৰক ধন্য বুলি বাৰে বাৰে প্ৰশংসা কৰিবলৈ ধৰিলে। ইয়াৰ পিছত নৰনাৰায়ণে পৰম প্ৰীতিৰে সৈতে শঙ্কৰদেৱক ধন বস্ত্ৰ উপহাৰ দি নিজৰ থান ৬
পাটবাউসীলৈ উভতি যাবলৈ বিদায় দিলে। চিলাৰায় আৰু তেওঁৰ কুঁৱৰী ভুৱনেশ্বৰীয়ে শঙ্কৰদেৱৰ জয় বাৰ্ত্তাত পৰম আনন্দ পাই তেওঁক সেৱা সৎকাৰ কৰি, ওঠৰ বৈচাৰে নাও দি, আৰু চিলাৰায়ে নগতে কিছুদূৰ আগি আগ বঢ়াই থৈ, পাটবাউসীলৈ শঙ্কৰদেৱক উজাই পঠিয়াই দিলে। তিন দিনৰ মূৰত শঙ্কৰদেৱে পাটবাউসী পালেহি। তেওঁ অহিৰৰ দেখি, আৰু তেওঁৰ ৰাজসভাত জয় আৰু সন্মানৰ বাতৰি শুনি, তেওঁৰ ইষ্টমিত্ৰ জ্ঞাতি বন্ধু সেৱক সকলো পৰম আনন্দত নিমগন হ'ল।

বিশে অধ্যায়

বৰ্ম্মাবলী গ্ৰন্থ প্ৰাপ্তি

কণ্ঠভূষণ নামে এজন বিপ্ৰই শঙ্কৰদেৱৰে সৈতে বাদ কৰি শঙ্কৰদেৱক জিনিব নোৱাৰি আকৌ ভালকৈ শাস্ত্ৰ পঢ়ি আৰু জ্ঞান উপাৰ্জ্জন কৰি আহি শঙ্কৰদেৱক তৰ্কত জিনিবৰ অভিপ্ৰায় কৰি বাৰাণসীত পঢ়িবলৈ গৈছিল। বাৰাণসীত তেতিয়া ব্ৰহ্মানন্দ নামে এজন শ্ৰেষ্ঠ পণ্ডিত আছিল। তেওঁৰ ওচৰত কণ্ঠভূষণে শাস্ত্ৰ পঢ়িবলৈ ধৰিলে। এদিন ব্ৰহ্মানন্দ পণ্ডিতে ছাত্ৰসকলক ভাগৱত শাস্ত্ৰ পঢ়াই থাকোতে ব্ৰহ্মাস্তুতি ডোখৰ পাই, তাৰ অৰ্থৰ ভালকৈ সংহতি লগাব নোৱাৰি থোকোজা লাগি ভাবি আছিল। এনে দেখি কণ্ঠভূষণে সেই সময়তে মাতিলে—

“অনেক বিভূতি, কৃষ্ণৰ মূৰতি, দেখিয়া বিস্মিতি ব্ৰহ্মা ভৈলা ভীতি। যেন মৃতবৎ পৰিল হংসত, নাহি আৰ তত, চেতনা গাৱত॥ ব্ৰহ্মাও মহন্ত, দেখি ভগৱন্ত, ৰূপ চাকিলন্ত, দনাই ভীষন্ত॥ হংসবাহ এৰি, চৰণত পৰি, নানা স্তুতি কৰি, গৃহে গৈলা লৰি॥”

এই ৰচনাৰ পদ শুনি, তেওঁ সেই ভাবে আৰ্গি অৰ্থ পাই কণ্ঠভূষণক সুধিলে “এইয়া কাৰ ৰচিত পদ? এই পদ শুনি মই কঠিন শ্লোকৰ অৰ্থ ধৰিব পাৰিলোঁ।” কণ্ঠভূষণে ক'লে “শঙ্কৰ নামে

এজন বটদ্ৰৱা নামে স্থানত জন্ম হৈ, আগম নিগম তন্ত্ৰ আদি সকলো শাস্ত্ৰত পাৰদৰ্শী হৈ একশৰণ ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰিছে ; তেওঁৰে ৰচিত এই পত্ৰাৰ। তেওঁৰে সৈতে মোৰ শাস্ত্ৰৰ তৰ্ক হৈছিল, তেওঁক মই বাদত জিনিব নোৱাৰি আকৌ ভালকৈ আপোনাৰ ওচৰত শাস্ত্ৰ পঢ়ি গৈ তেওঁক জিনিম বুলি ইয়ালৈ আহিছোঁ। মই সৰল ভাৱে আপোনাৰ আগত এই কথা আজি প্ৰকাশ কৰিলোঁ।" এই কথা শুনি ব্ৰহ্মানন্দৰ হঠাৎ মনত পৰিল, তেওঁৰ আগত বিষ্ণুপুৰী সন্ন্যাসীয়ে যি কথা কৈছিল সেই কথালৈ। তেওঁ তেতিয়াই এজন ছাত্ৰক পেৰা এটা আনিবলৈ কৈ ক'লে যে "পেৰাটো দেখিলেহে ঠিক বুজিব পাৰিম। পূৰ্ব্বে মোৰ গুৰু বিষ্ণুপুৰী সন্ন্যাসীয়ে বাৰ স্কন্ধ ভাগৱতৰপৰা ভক্তিপৰ শ্লোক-বোৰ সংগ্ৰহ কৰি ৰত্নাৱলী নাম দি পুথি এখন কৰি এটা পেৰাৰ ভিতৰত থৈ, তাৰ ওপৰত বাৰ স্কন্ধ ভাগৱত থৈ দি, পেৰাটো গজালি থৈ দিলে। সেই পেৰাটো গুৰুৱে আদৰ কৰি মোক দি ক'লে যে "ৰ" কাৰ আদি স্থানত "শ'কাৰ আদি নামেৰে শূদ্ৰ কুলত হৰিৰ অংশাৱতাৰ এজন যেতিয়াই জন্ম হ'ব তেতিয়াই বাৰ স্কন্ধ ভাগৱতৰ তলত থোৱা এই ৰত্নাৱলী গ্ৰন্থখন বাৰ স্কন্ধ ভাগৱতৰ ওপৰলৈ আহিব। এতেকে তেতিয়া পেৰাটো খুলি তুমি এই কথা জানিব পাৰিবা। এজন ব্ৰাহ্মণ আহি সেইজনৰ কথা তোমাক ক'লে, তুমি সেই ব্ৰাহ্মণজনৰ হাতত ৰত্নাৱলী গ্ৰন্থখন সেইজনলৈ পঠিয়াই দিবা। সেইজন পুৰুষক নমস্কাৰ কৰি মই দুটি শ্লোক ৰচনা কৰি ৰত্নাৱলী গ্ৰন্থৰ তলত থৈছোঁ, সেই শ্লোক দুটিও তুমি তেওঁলৈ পঠিয়াই দিবা।"—এই কথা এতিয়া মোৰ মনত পৰিছে। এতেকে শীঘ্ৰে ভাগৱত গ্ৰন্থ থকা সেই পেৰাটো আনা।" এই কথা শুনি ছাত্ৰজনে পেৰাটো আনিলত, তাক মেলি চালত দেখা গ'ল যে ৰত্নাৱলী শাস্ত্ৰখন বাৰ স্কন্ধ ভাগৱতৰ ওপৰত উঠি আছে। এই কথা দেখি ব্ৰহ্মানন্দই ধন্য ধন্য তেওঁৰ গুৰু বিষ্ণুপুৰী বুলি প্ৰশংসা কৰি ক'লে, "ভাবিছিলোঁ, কাশী বা বৃন্দাবনত এই অৱতাৰ হ'বহি। এতিয়া দেখিলোঁ নিবোদক বনত পদ্ম উপজিল।" এই বুলি ব্ৰহ্মানন্দই নিজে শঙ্কৰক বন্দনা কৰি আৰু দুটি শ্লোক ৰচনা কৰি, তেওঁৰ গুৰুৰ শ্লোক দুটি আৰু তেওঁৰ নিজৰ দুটি, এই চাৰিওটি শ্লোকেৰে সৈতে ৰত্নাৱলী শাস্ত্ৰখন কণ্ঠ-ভূষণৰ হাতত দি ক'লে "শুনা কণ্ঠভূষণ, তুমি শঙ্কৰেৰে সৈতে বাদ কৰি জয় হৰৰ আশা পৰিত্যাগ কৰা। মোৰ গুৰুৰ বচনৰ প্ৰমাণ এতিয়াই চকুৰ আগত দেখিলা। গুৰুৰ আৰু মোৰ এই চাৰিটি শ্লোকেৰে সৈতে এই ৰত্নাৱলী শাস্ত্ৰখন থুৰি লৈ এতিয়াই যোৱা। গৈ শঙ্কৰদেৱক দি তেওঁক প্ৰণাম কৰি তোমাৰ দোষৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিবা। যেতিয়া তেওঁ ক্ষমা কৰিলোঁ বুলিব, তেতিয়াহে তুমি উঠিবা।"

ব্ৰহ্মানন্দৰ এই আজ্ঞা শুনি কণ্ঠভূষণে ৰত্নাৱলী গ্ৰন্থখন লৈ কিছুদিনৰ মূৰত পাটবাউসী থান পালেহি। শঙ্কৰদেৱৰ আগত ঠগিত ৰত্নাৱলীখন কণ্ঠভূষণে থৈ, তেওঁৰ চৰণ দুটিত ধৰি সেৱা কৰি ৰ'ল। শঙ্কৰ-দেৱে তেওঁক "উঠা, উঠা" বুলি হাতেৰে তুলি ধৰিলত কণ্ঠভূষণে ক'লে, "যদি মোক ক্ষমা কৰিছোঁ বোলে, তেহে মই আপোনাৰ চৰণৰপৰা হাত এৰিম।" এই কথা শুনি শঙ্কৰদেৱে ক্ষমা কৰিলোঁ বুলিলত, কণ্ঠভূষণে আনন্দিত মনেৰে আসন গ্ৰহণ কৰিলে। কণ্ঠভূষণে সকলো কথা শঙ্কৰদেৱৰ আগত বৰ্ণনা কৰিলত, শঙ্কৰদেৱে শাস্ত্ৰখন আদ্যোপান্ত চাই, মাধৱদেৱক ক'লে "শাস্ত্ৰখন যেন এটি দিব্য পুৰুষ, তাৰ সকলো অঙ্গ প্ৰত্যঙ্গাদি আছে, কিন্তু মাথা-গোট নাই। যদি একশৰণ ইয়াত থাকিলহেঁতেন তেনেহলে জগতত এই গ্ৰন্থৰ সমান কোনো গ্ৰন্থ নাই হলহেঁতেন।" এই কথা শুনি মাধৱদেৱে শঙ্কৰদেৱৰ হাতৰপৰা পুথিখন নি ভালকৈ চাই ক'লে 'বাপ, সমস্তৰে শেষত শৰণৰ বিবচন হৈছে।" এই বুলি তাক শঙ্কৰদেৱক দেখুৱালত, শঙ্কৰদেৱে মহা আনন্দ লাভ কৰি পুথিখন শিৰত লৈ ক'লে "কি মহা দিব্য গ্ৰন্থ। জগতত এই গ্ৰন্থৰ তুলনা নাই। মই যদি আগেযে এই গ্ৰন্থখন পালোহেঁতেন তেনেহলে ইমান পৰিশ্ৰম কৰি "ৰত্নাকৰ' নামৰ শাস্ত্ৰখন নকৰিলোহেঁতেন।" এই কথা কৈ শঙ্কৰ-দেৱে ৰত্নাৱলীৰ পদ কৰিবৰ নিমিত্তে পাত মহী প্ৰস্তুত কৰিবলৈ আদেশ দিলে। ইয়াৰ পিছত এদিন শঙ্কৰদেৱে ৰত্নাৱলীৰ পদ কৰিবলৈ বহি দুটি মাত্ৰ পদ কৰিছে, এনেতে তেওঁ ভক্তি-প্ৰেমত অভিভূত হৈ পৰিল, আৰু তেওঁৰ হাতৰপৰা কাপ খহি পৰিল। এনে হোৱা দেখি তেওঁ মাধৱদেৱক ক'লে "বঢ়াৰ পো, আমাৰ পৰা এই পুথিৰ পদ নহয়। তুমি গ্ৰন্থখনি লৈ পদ কৰাগৈ।" গুৰুৰ আজ্ঞা শুনি মাধৱদেৱে প্ৰণাম কৰি, পুথিখন লৈ গৈ নানা ছন্দে বন্ধে তাৰ পদ ৰচনা কৰিলে।

একবিংশ অধ্যায়

অনন্ত কন্দলিৰ "উচ্ছিষ্ট ভোজন"

শঙ্কৰদেৱ উজনিত থাকোঁতে তেওঁৰ কাঠৰ মূৰ্ত্তি মদনগোপাল সজা কোবোলা বাঢ়ৈৰ নাৰ আৰি আগেয়ে তুলি আহিছোঁ। শঙ্কৰদেৱৰ লগত ভক্ত কোবোলা বাঢ়ৈ ভটিয়াই পাটবাউসী থানত আহিলহি

ৰামচন্দ্ৰ পুৰী নামে বৈষ্ণৱ সন্ন্যাসী এজন আহি কোনোবা ৰাইজৰ ঘৰতে আছিলহি। তেওঁ শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মত আস্থাবান হৈ শঙ্কৰদেৱে কৰা সকলো শাস্ত্ৰ পঢ়ি তাত অভিজ্ঞ হৈছিল। এদিন একাদশীত ৰাইজে উপবাস কৰি আছিল। সন্ন্যাসীয়ে দেখি ৰাইজক উপবাস কৰি থাকিবলৈ হাক দি ক'লে, "কলিযুগত ব্ৰত উপবাস সকলো মিছা। তুমি ভালকৈ ভোজন কৰি হৰি নাম লোৱাঁ, মাধৱেহে তোমাক তাৰিব, ব্ৰত উপবাসে নহয়। ভকতৰ কল্পতৰু শ্ৰীমন্ত শঙ্কৰ গুৰুৱে "একাদশ" শাস্ত্ৰত লেখিছে "নাপাইবেক মোক একাদশী উপবাসে।" ই কথা শুনি ৰাইজে মাছ আনি আনন্দমনেৰে ৰান্ধি-বাঢ়ি খাবলৈ ইচ্ছা কৰোঁতেই শঙ্কৰদেৱে শুনি, ৰাইজক খং কৰি ক'লে "তুমি একাদশীৰ দিনা এনে কাম কৰি ধৰ্ম্মক উপলংঘা কৰিছা কিয়?"

ৰাইজেয়ে উত্তৰ দিলে "বাপ, আপুনি একাদশ পুথিত লেখিছে, "একাদশী উপবাসে, আৰ যোগ ধ্যান ন্যাসে, নাপাইবে আমাক কোনো জনে" এই বাক্য মনত মানি, একাদশীক তুচ্ছ ভাবি ভোজনৰ ইচ্ছা কৰিছিলোঁ। যদি অজ্ঞানীৰ দোষ হৈছে, দাস বুলি ক্ষমা কৰক।" ৰাইজৰ এই উত্তৰ শুনি তেওঁ ৰাইজৰ প্ৰতি সদয় হৈ, ৰমানন্দ ঠাকুৰক ক'লে "বোপা ৰমানন্দ, একাদশ পুথিখন আনা, পদফাকি এতিয়াই কাটি থওঁ।" মাধৱদেৱ ওচৰতে আছিল, তেওঁ গুৰুজনৰ এই কথা শুনি, প্ৰাৰ্থনা কৰি গুৰুক ক'লে "বাপ, এইটো কৰা যুগুত নহয়, যি যেনেকৈ তাৰ অৰ্থ বুজে বুজক, আমাৰ নিমিত্তে সেই পদ থাওক।" ঠাকুৰ আতায়ো মাধৱদেৱৰ কথাকে সমৰ্থন কৰি ক'লত শঙ্কৰদেৱে সেই পদফাকি ৰাখিলে।

ইয়াৰ পিছত আৰু এদিন একাদশীত বলোৰাম নামে ভকত এজন উপবাসে আছিল। তাৰ আগ দিনাও বলোৰাম, তেওঁৰ গাত অলপ জ্বৰৰ নিচিনা হোৱা বাবে ভিক্ষা কৰিবলৈ যাব নোৱাৰি উপবাসে থাকিবলগীয়াত পৰিছিল। তাৰ পিছদিনাও বলোৰামে একাদশী কৰি গোটেই'টা দিন থাকি, ৰাতি তেওঁৰ গা বহিল আৰু ভোকত অজ্ঞান হৈ মাতিব নোৱাৰা হ'ল। একাদশীৰ পিছদিনাও তেওঁৰ গাত তত নথকা বাবে তেওঁ পাটীতে শুই পৰি আছিল। প্ৰসঙ্গৰ সময়ত শঙ্কৰদেৱে তেওঁক উপস্থিত নেদেখি "বলোৰাম কলৈ গ'ল" বুলি বিচাৰলিত, তেনে নালকাল অৱস্থাত ঘৰতে পাটীত বলোৰামক পৰি থকা পোৱা গ'ল। এই কথা শঙ্কৰদেৱে শুনি বলোৰামক ধৰাই তোলাই আনি তেওঁৰ মূৰত পানী ঢলাই তেওঁক অলপ জলপান খুৱাই সুস্থ কৰিলতহে বলোৰামে গুৰুদেৱক কব পাৰিলে, কেনেকৈ অনাহাৰত তেওঁৰ গা বহি তেওঁ তেনে নাকৰাল হৈছিল। এই কথা শুনি ভকতৰ দুখত দুখিত হৈ শঙ্কৰদেৱে বলোৰামক কলে "আজিৰ-পৰা ভিক্ষা নাপালে তুমি লঘোনে নাথাকিবা, মোৰ ভঁৰালৰপৰা দ্ৰব্য লৈ গৈ ভোজন কৰিবা।" এনেতে মাধৱদেৱে শঙ্কৰদেৱৰ ওচৰত প্ৰাৰ্থনা কৰি কলে "বাপ, দাসে আপোনাৰ চৰণত এটি নিবেদন কৰোঁ, —সকলো ধৰ্ম্মৰ ৰজা হৈছে নাম-ধৰ্ম্ম। সেই দায় ৰাতিয়ে দিনে লবৰ নিমিত্তে ভক্তসকলে সদায় খাই-বৈ সুখে থাকি শৰীৰ ভালকৈ ৰাখিব লাগে; নহুৱা নামৰ বিঘিনি হয়। কলিত অন্নগত প্ৰাণ, আহাৰৰ অভাৱত ইন্দ্ৰিয়সকল বিকল হয়, সেইদেখি ভকতসকলক শাস্ত্ৰৰ বিৰোধেও একাদশীত ফলাহাৰ কৰিবলৈ আজ্ঞা দিব লাগে। ফলাহাৰ কৰি ভকতি আচৰি নাম-প্ৰসঙ্গ কৰি থাকিলেও তাৰ ফলত সকলো তৰিব।" এই কথা শুনি শঙ্কৰদেৱে মাধৱদেৱক প্ৰশংসা কৰি ক'লে "ভকতৰ সুখ দুখ মাধৱে কেনে বুজে চোৱাঁ। মাধৱে যি কথা ক'লে সেইটো বেদা-ন্তৰো মত। আজিৰ পৰা সকলো ভকত মাধৱে কোৱা মত অনুসৰি চলক, শৰীৰক ক্লেশ নিদিয়াকৈ সকলোৱে নাম-ধৰ্ম্ম আচৰণ কৰক।" সেৱকসকলে গুৰুজনৰ এনে আজ্ঞাবাণী শুনি পৰম আনন্দ পালে।

এই ভোখৰ কালত শঙ্কৰদেৱে অনেক নাট আৰু গীত ৰচনা কৰে। উত্তৰাকাণ্ড ৰামায়ণৰ পদ শঙ্কৰদেৱে কৰি আদিকাণ্ডৰ পদ কৰিবলৈ মাধৱদেৱক নিযুক্ত কৰিলে, ব্ৰহ্মপুৰাণৰ পৰা ওৰেষা চৰিত্ৰ ৰচনা কৰি "কীৰ্ত্তনৰ" অন্তৰ্গ'ত কৰিলে।

এদিন অনন্ত কন্দলিয়ে স্বপ্নত শঙ্কৰদেৱৰ উচ্ছিষ্ট ভোজন কৰিবলৈ আদিষ্ট হৈ স্নানকাৰ্য্য পূজাৰ্চ্চনা আদি কৰি ভোজন নকৰাকৈয়ে শঙ্কৰদেৱৰ ওচৰত উপস্থিত হৈ তেওঁক প্ৰণাম কৰি স্বপ্নৰ বৃত্তান্ত কৈ প্ৰসাদ প্ৰাৰ্থনা কৰিলত, শঙ্কৰদেৱে তেওঁক বুজাই ক'লে যে "শ্ৰীমদ্ভাগৱত আৰু ৰামায়ণৰ যি যি কেইছোৱাৰ পদ মোৰ কৰিবলৈ বাকী আছে, সেইবোৰৰে তুমি পদ ৰচনা কৰাঁ, তোমাৰ সেয়ে মোৰ উচ্ছিষ্ট ভোজন হ'ব।" এই কথা শুনি কন্দলিয়ে অতি আনন্দ পাই কৃতাৰ্থ হৈ কলে "মোৰ আৰু এটি প্ৰাৰ্থনা আছে,—"কীৰ্ত্তন ঘোষা" নামে আপোনাৰ যি অনুপম সুললিত গ্ৰন্থ আছে, তাৰ লগত মোৰ অলপ ৰচনা ৰাখিবলৈ আশা কৰোঁ।" এই প্ৰাৰ্থনা শুনি শঙ্কৰদেৱে তেওঁক ক'লে "তোমাৰ আশা মই আনন্দ মনেৰে পূৰ্ণ কৰিবলৈ অনুমতি দিলোঁ। পদ্মপুৰাণৰ স্বৰ্গখণ্ডৰ মাজত যি গোপ্য নাম-ধৰ্ম্মৰ কথা আছে, সেই কথা তুমি কীৰ্ত্তনৰ ছন্দেৰে পদ কৰাঁ, সি কীৰ্ত্তন-ঘোষাতে সৈতে মিলি থাকক।" এই বাণী শুনি অনন্ত কন্দলিয়ে কৃতকৃত্য হৈ ঘৰলৈ গৈ প্ৰথমতে কীৰ্ত্তনঘোষাৰ ভিতৰত থকা—"কি কৰিবোঁ কি কৰিবোঁ ভকতি নকৰি। অজ্ঞানে

পাইলেক মোক ৰক্ষা কৰা হৰি ॥" এই অধ্যায়কে আদি কৰি ছয় অধ্যায় ৰচনা কৰি শঙ্কৰদেৱৰ হাতত দিলেহি। শঙ্কৰদেৱে দেখি পৰম সন্তোষ পাই সেই কেই অধ্যায় তেওঁৰ কীৰ্ত্তনেৰে সৈতে মিলাই ৰাখিলে। ইয়াৰ পিছত অনুক্ৰমে অনন্ত কন্দলিয়ে ভাগৱতৰ চতুৰ্থ, পঞ্চম, ষষ্ঠ আৰু নৱম স্কন্ধৰ পদ কৰে। অনন্ত কন্দলিয়ে দশম স্কন্ধৰ মধ্য আৰু শেষ ছোৱাৰ পদ কৰি শঙ্কৰদেৱৰ ওচৰত উপগত হলত তেওঁৰ মুখত ভয়ৰ চিহ্ন দেখি শঙ্কৰদেৱে তেওঁক তাৰ কাৰণ সুধিলে। অনন্ত কন্দলিয়ে ক'লে "মই সোমাওঁতে দুৱাৰমুখতে যেন ডাঙৰ বৃষ এটা দেখিলোঁ।" শঙ্কৰদেৱে অলপ হাঁহি তেওঁক কলে "বাৰু আকৌ তুমি বেগেতে চোৱাঁচোন, চোৱাঁগৈ বৃষটো আছে নে নাই?" লৰালৰিকৈ কন্দলিয়ে আকৌ গৈ দেখে যে তাত বৃষটো নাই আৰু ততালিকে কলৈ গল, চাৰিওকালে ঘূৰি-পকি চায়ো নেদেখিলে। উভতি আহি তেওঁ শঙ্কৰদেৱক কলে "বৃষটো বিচাৰি নাপালোঁ; কিবা মায়া হৈ গল নে কি?" শঙ্কৰদেৱে কলে ই আন একো মায়া নহয়; এওঁ ধৰ্ম্ম; তোমাৰ ঘৰত সদায় আছিল। তোমাৰ ভাৰ্য্যা প্ৰকৃতিৰ অংশ; তেওঁ সম্প্ৰতি হৰিত শৰণ লৈছে। এনেজনা তিৰুতাক তুমি আজি প্ৰহাৰ কৰিছিলা; সেই পাপ কাৰ্য্য দেখি ধৰ্ম্ম তোমাৰ ঘৰৰ পৰা আঁতৰি আহিল। এতিয়াই তুমি লৰালৰিকৈ ঘৰলৈ উভতি যোৱাঁ গৈ তোমাৰ ভাৰ্য্যাক সন্তুষ্ট কৰাঁ; তেনেহলে অৱশ্যে ধৰ্ম্ম আকৌ তোমাৰ ঘৰত প্ৰৱেশ কৰিব।" এই কথা শুনি কন্দলিয়ে মহা বিস্ময় মানি, শঙ্কৰদেৱক প্ৰণাম কৰি ক'লে "হে গুৰু, আপোনাৰ মহিমা কোনে জানিব পাৰে। মোৰ দোষ আপুনি ক্ষমা কৰক। মই এতিয়াই ঘৰলৈ গৈ আপোনাৰ আজ্ঞা পালন কৰোঁ গৈ।" এই বুলি অনন্ত কন্দলিয়ে ঘৰলৈ আহি তেওঁৰ গৃহিণীক তুষ্ট কৰি, এইটো গুৰুৰ পৰম কৃপা বুলি মানি কৃতাৰ্থ হ'ল।

দ্বাবিংশ অধ্যায়

শঙ্কৰদেৱৰ বেহাৰ যাত্ৰা

এদিন মাধৱদেৱ শঙ্কৰদেৱৰ ওচৰতে বহি আছে, এনেতে উজানৰপৰা জনদিয়েক মুদৈ আহি তাতে উপস্থিত হৈ শঙ্কৰদেৱক সেৱা কৰিলে। তেওঁলোকৰ লগতে গোপাল নামেৰে এটি সুন্দৰ ব্ৰাহ্মণৰ ল'ৰাও আছিল। (১) শঙ্কৰদেৱে মুদৈসকলক অহাৰ কাৰণ সুধি, গোপ লৈ আঙুলিয়াই সুধিলে "এইটি ব্ৰাহ্মণৰ ল'ৰা ক'ৰ, কিয় আহিছে?" মুদৈসকলে ক'লে "এওঁ পিতৃ-মাতৃহীন বালক, সৰুৰেপৰা মায়েক ভিনিহিয়েকৰ লগত থাকি ডাঙৰ হৈছে (২) এওঁ আমাৰ লগতে আহিছে।" ইয়াৰ পিছত মুদৈসকলে প্ৰাৰ্থনা কৰি শঙ্কৰদেৱক ক'লে "বাপু, আপুনি ধুৱাহাটৰপৰা আমাক এৰি অহাৰ পৰা আমি অনাথ হলোঁহক। তেতিয়াৰেপৰা আৰু তাত ভক্তি-ধৰ্ম্ম প্ৰচাৰৰ বৃদ্ধি নহ'ল। বাপ আমি অনেক প্ৰয়াস কৰি আপোনাৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ আহিলো যেন আপুনি এজন আপোনাৰ বিশিষ্ট ভক্তক আমাৰ লগতে উজনিলৈ পঠিয়াই দি তাত ধৰ্ম্ম প্ৰচাৰ বৃদ্ধি কৰায়।" মুদৈসকলৰ এই প্ৰাৰ্থনা শুনি শঙ্কৰদেৱে মাধৱদেৱক ক'লে—"বাপৰ পো, উজনিত এইবেলি ধৰ্ম্ম প্ৰচাৰৰ নিমিত্তে তুমি এতিয়াই এই মুদৈসকলৰ লগতে যোৱা। তাত ভালকৈ নাম-ধৰ্ম্ম প্ৰকাশি ভক্তি প্ৰচাৰ কৰা গৈ।" এই আজ্ঞা কৰি তেওঁ মাধৱদেৱৰ হাতত চাৰিখন তামোল দিলত মাধৱদেৱে গুৰুৰ আজ্ঞা শিৰোধাৰ্য্য কৰি শঙ্কৰদেৱক সেৱা কৰি উঠি তেতিয়াই যাবলৈ ওলাল। তেওঁ যাবলৈ প্ৰস্তুত হ'বৰ নিমিত্তে নিজৰ ঠাই গণককুচি পাওঁতেই, সিকালৰপৰা নাৰায়ণ ঠাকুৰ আহি তাতে ওলালহি। ঠাকুৰ আতাক দেখি মাধৱদেৱে ক'লে "সখি গুৰুজনে মোক উজানলৈ যাবলৈ আজ্ঞা কৰিলে; এতিয়াই সদাগৰসকলৰ লগত যাব লাগিব; সেই নিমিত্তে প্ৰস্তুত হৈ আছিছো।" এই কথা শুনি নাৰায়ণ ঠাকুৰে ক'লে "সখি, তুমি অলপ তভা, মই গুৰুজনৰ ওচৰৰ পৰা আহোঁ মানে।" এই বুলি নাৰায়ণ ঠাকুৰ তেতিয়াই বেগাবেগিকৈ শঙ্কৰদেৱৰ ওচৰলৈ গৈ শঙ্কৰদেৱৰ চৰণত পৰি এই বুলি প্ৰাৰ্থনা কৰিলে—

"কৃপাৰ সাগৰ দৈৱকী নন্দন,
পূৰিয়ো মনৰ কাম।
ভকতৰ সঙ্গ সদা নুগুচোক
মুখে তুৱা গুণ নাম ॥"

"বাপ, মহাসুখৰ সঙ্গ মোৰ গুচিল। মোৰ প্ৰাণ বন্ধুৰ সঙ্গ লাভৰপৰা বঞ্চিত হ'লোঁ। যাৰ দ্বাৰাই যি সময়ত উজনিত ধৰ্ম্ম প্ৰকাশ হ'ব লাগে সি অৱশ্যে হ'ব, তাত সংশয় নাই। এতেকে ক্ষমা

(১) এওঁকে বংশীগোপালো বোলে। এওঁ সৰুতে হাবিয়ে বননিয়ে বাঁহী বজাই ফুৰিছিল দেখি এই নাম পাইছিল। বংশীগোপালদেৱ আৰু হৰিদেৱৰ সম্বন্ধত মোমাই ভাগিন আছিল।

(২) আউনীআটী সত্ৰৰ চলাজৰ অধিকাৰ অশেষ গুণালংকৃত মহাসাধু ৺দত্তদেৱ গোস্বামীয়ে ৰচনা কৰা চৰিত্ৰত আছে যে বংশীগোপালে শঙ্কৰদেৱৰ এই প্ৰশ্নৰ উত্তৰত নিজৰ পৰিচয় এইদৰে দিলে—"হে পুৰুষবৰ, মই হৰিৰ আচাৰ্য্যৰ নাতি, ধৰ্ম্মাই আচাৰ্য্যৰ পুত্ৰ। সম্প্ৰতি মই মালীপুৰৰপৰা আহিছোঁ। মোৰ নাম গোপাল। পিতৃ-মাতৃ বিহীন হৈ সৰুৰেপৰা মই মাই ভিনিহিৰ ঘৰত বাস

কৰি মাধৱক থাকিবলৈ আজ্ঞা কৰক।" এই কথা শুনি ইঁহি শঙ্কৰদেৱে মাধৱদেৱক থাকিবলৈ আজ্ঞা দি মুদৈসকলক বিদায় দিলে। বংশীগোপালে কিন্তু মুদৈসকলৰ লগত উভতি যাব নুখুজি শঙ্কৰদেৱৰ লগত থাকিবৰ অনুমতি প্ৰাৰ্থনা কৰিলত, মুদৈসকলে শঙ্কৰদেৱক জনালে যে "এই ব্ৰাহ্মণৰ ল'ৰাটি যদি আমি আকৌ লগত লৈ উভতি নাযাওঁ, তেনেহলে আমাৰ ৰজা হে যি অনুজন, এওঁৰ বাপেক তিনি-ছিৰেকে ৰজাক গোচৰ দিলে আমি এওঁক ককবাত মাৰি থৈ গলো বুলি আমাক ৰজাই ধৰাই নি কটাব। এতেকে আমি এওঁক এৰি থৈ যাব নোৱাৰোঁ।" মুদৈসকলৰ এই কথা শুনি শঙ্কৰদেৱে বংশীগোপালক কলে "গোপাল, তুমি এওঁলোকৰ লগত এতিয়া যোৱাঁ, পিছে আকৌ আহি তোমাৰ মনকামনা পূৰ্ণ কৰিব পাৰিবা। ভক্তি-ধৰ্ম্ম প্ৰকাশৰ কাৰ্য্য তুমিও সাধ কৰিবা।" এই আজ্ঞা শুনি অসন্তোষ মনেৰে বংশীগোপাল মুদৈসকলৰ লগত ওলটি গ'ল।

ঠাকুৰ আতাই নৱালবিকে উভতি গৈ মাধৱদেৱক গুৰুৱে তেওঁক উজনিলৈ যাবলৈ দিয়া আদেশ বহিত কৰা বাতৰি দি বং মনেৰে নিজৰ ঘৰলৈ গ'ল।

শঙ্কৰদেৱৰ এখন নৌকা আছিল। গোবিন্দ নামে ভকত এজনে এদিন অকস্মাৎ জাপ মাৰি উঠি নাওখনৰ টিং এটি ভাঙি ভয়ত সেই কথা কাকো নোকোৱাকৈ থাকিল। পিছত শঙ্কৰদেৱে নাওখনৰ টিংটি সেইদৰে ভাগি থকা দেখি সকলোকে সুধিলে, কোনে টিংটি ভাঙিলে বুলি। সকলোৱে নাজানো বুলি ক'লে। গোবিন্দকো তেওঁ ভাঙিছেনে বুলি সুধিলত গোবিন্দে ক'লে "মই ভঙা নাই; কোনে ভাঙিলে ক'ব নোৱাৰো।" শঙ্কৰদেৱে ভাবিলে, নিশ্চয় তেওঁৰ ভকতসকলৰ ভিতৰৰে কোনো এজনে টিংটো ভাঙিলে, অথচ, তেওঁৰ আগত সেইজনে মিছা কথা কৈছে। ইয়াকে ভাবি তেওঁ বিমৰ্ষ ভাৱে বহি থকা দেখি মাধৱে কি হৈছে বুলি সুধি তাৰ কাৰণ জানিব পাৰি শঙ্কৰদেৱক ক'লে "বাপ, গোবিন্দক সোধক, তেওঁ নিশ্চয় ক'ব পাৰিব।" শঙ্কৰদেৱে ক'লে "বাপাৰ পো, তুমিয়েই সোধা, মই সুধিলে তেওঁ সঁচা কথা নকয়।" পিছত মাধৱদেৱে আহি গোবিন্দে যে টিংটো ভাঙিলে সেই কথা গোবিন্দৰ মুখৰপৰা উলিয়াই লৈ তেওঁৰ গুৰুৰ আগত ক'লত, শঙ্কৰদেৱে মহা ক্ৰোধ কৰি গোবিন্দক সুধিলে তেওঁ আগেয়ে কিয় মিছা মাতিছিল? গোবিন্দে উত্তৰ দিলে যে তেওঁ ভয়ত মিছা মাতিছিল। শঙ্কৰদেৱে ক'লে "ভয়তো মিছা মতা মহা পাপ; তাৰ উপৰি নিজ গুৰু আৰু ভকতৰ আগত যি মিছা কথা কয়, তাৰ ধৰ্ম্ম কৰ্ম্ম একো নাথাকে; এতেকে তোমাক আমি পৰিত্যাগ কৰিলোঁ, তুমি ইয়াৰপৰা গুচি যোৱাঁগৈ।" গুৰুৰ আজ্ঞা মানি গোবিন্দে যাবলৈ কানি-কথা বান্ধি ওলাই শঙ্কৰদেৱক সেৱা কৰিছে, এনেতে গোবিন্দৰ ইষ্টমিত্ৰজনেও (৩) আলি চোপোলা বান্ধি গোবিন্দৰ লগতে যাবলৈ ওলাই গুৰুজনক সেৱা কৰিলেহি। শঙ্কৰদেৱে আচৰিত হৈ, তেওঁ কিয় যায় বুলি তেওঁক সুধিলত, তেওঁ ক'লে "বাপ, আপোনাৰ মুখে শুনি আছোঁ, যে সুহৃদক সুখে দুখে কেতিয়াও এৰিব নালাগে; এতেকে মোৰ বান্ধৱজন যলৈকে যায়, গুৰুবাক্য মানি আপোনাৰ এই দাসো তলৈকে যাব।" গোবিন্দৰ ইষ্টমিত্ৰজনৰ এই কথা শুনি শঙ্কৰদেৱে প্ৰসন্ন হৈ গোবিন্দক ক্ষমা কৰি দুইকো একেলগে তেওঁৰ পাশতে থাকিবলৈ আজ্ঞা কৰিলে।

এদিন শঙ্কৰদেৱৰ মাতৃ পুতেক কমল লোচন ঠাকুৰ আমগছ এজোপাত উঠি বহি আছিল। তেওঁক দেখিবলৈ ঠিক শঙ্কৰদেৱৰ নিচিনা সুশ্ৰী আৰু তেজস্বী আছিল। সেৱকসকলে গছৰ ওপৰত তেওঁৰ আশ্চৰ্য্য তেজ আৰু ৰূপ দেখি সেই কথা শঙ্কৰদেৱক ক'লত, শঙ্কৰদেৱে বিমন হৈ ক'লে, কমললোচনে অপেক্ষা

কৰি আছোঁ; তেওঁবিলাক নিচেই দৰিদ্ৰ, মোৰ পিতৃৰ কপৰ্দ্দকো নাই। অৰ্থৰ অভাৱত কষ্ট পাই এই মুদৈৰ নাৱত কৰ্ম্মকিঞ্চিৎ অৰ্থ উপাৰ্জ্জনৰ নিমিত্তে আহিছোঁ।" শঙ্কৰদেৱে গোপালৰ কথা শুনি দুখিত হৈ ক'লে, "গোপাল, তোমাক আমি জানিছোঁ। তোমাৰ পিতাৰহ হৰিবৰ আচাৰ্য্য আৰু আমি একে ঠাইৰে লোক। ম্লেচ্ছ বিবাদত দেশ ত্যাগি বাথোন এতিয়া থান থান হৈছোঁহঁক। তোমাৰ যে পিতৃ মাতৃ চকাল, এইমাত্ৰ তোমাৰ মুখে শুনি পাইছোঁ। সি যি হওক, তোমাক দেখি বৰ সন্তোষ লভিছোঁ। গোপাল, তোমাৰ আৰু চিন্তা নাই; দুখৰ অন্ত পৰিল। এই পৃথিৱীত তোমাৰ জন্ম সাধাৰণ কাৰ্য্যৰ নিমিত্তে নহয়, তাক তোমাৰ আকৃতি প্ৰকৃতিয়ে প্ৰকাশ কৰিছে। তোমাৰ জন্মৰ মহৎ উদ্দেশ্য সাধিত হব লাগে। এই জন্মত তোমাৰ কল্যাণ আৰু সুকীৰ্ত্তি চন্দ্ৰ সূৰ্য্যৰ দৰে চিৰকাল জ্বলি থাকিব। তুমি ইয়াত থাকা; তোমাৰ সৰ্ব্বপ্ৰকাৰ মঙ্গল হব। আৰু গোপাল, তোমাক এটা কথা সোধোঁ, তোমালোক বৈষ্ণৱ ধৰ্ম্মাশ্ৰিত আচাৰ্য্যবংশী, এতিয়া কোন ধৰ্ম্ম আশ্ৰয় কৰিছা?" গোপালে কলে "সম্প্ৰতি মই উপনয়ী মাথোন লৈছোঁ; গায়ত্ৰী মাত্ৰ মোৰ দীক্ষা'। শঙ্কৰদেৱে কলে "গোপাল, তোমাৰ দীক্ষাগুৰু দামোদৰ হব।" —৺ৰামদেৱ অধিকাৰ গোস্বামী বিৰচিত বংশীগোপাল চৰিত্ৰ।

ইয়াৰ পিছত শঙ্কৰদেৱৰ মুখৰপৰা ধৰ্ম্মৰ কথা কিছু শুনি বংশীগোপালে শঙ্কৰদেৱক সম্বোধন কৰি ক'লে "পুৰুষবৰ, আপোনাৰ বাক্য মোৰ কৰ্ণত অমৃত যেন লাগিছে। মোৰ এনে ইচ্ছা হৈছে যেন আপোনাৰ ইয়াতে থাকি সদায় হৰি কথা শুনি থাকিম।" শঙ্কৰদেৱে উত্তৰ কৰিলে "ভাল, বাপা, তোমাৰ কোনো চিন্তা নাই।" কিন্তু মুদৈহঁতে তেওঁক লেখাত শঙ্কৰদেৱে গোপালক মাতিৰ আদেশ কৰি ক'লে "গোপাল, এতিয়া তুমি যোৱাঁ, কিন্তু তোমাক মোৰে আহিবলৈ এতিয়া নাই। তুমি আমাৰ মনত সুলক্ষণে অঙ্কিত থাকিবা।" গোপালে সজোৰে ক'লে "আপোনাৰ আদেশ পালন কৰিলোঁ। মোৰ দেহমাত্ৰ যাব, মন প্ৰাণ ইয়াতে থাকিব। পূৰ্ব্বজন্মাৰ্জ্জিত মোৰ অশেষ সৌভাগ্যৰ নিমিত্তে আপোনাৰ দৰ্শন মহাপ্ৰসাদ লাভ কৰিলোঁ।" শঙ্কৰদেৱে গোপালক আশীৰ্ব্বাদ উপদেশ দি বিদায় দিলে।"—

অলৌকিক শক্তি প্ৰকাশ কৰিলে ; কমললোচন আৰু বহুত থাকিব নোৱাৰা। যিহওক তাৰ জননীৰ আগত আৰু এই কথা নকবা।" ইয়াৰ অলপ দিনৰ পিছতে কমললোচন ঠাকুৰৰ মৃত্যু হ'ল। ঠাকুৰৰ মাতৃ কালিন্দী আই পুত্ৰশোকত আকুল হৈ পৰিলত, শঙ্কৰদেৱে অনেক বুজাই তেওঁক সান্ত্বনা দিলে।

হৰি খাঁ নামে ভূঞা এজনৰ লক্ষ্মী নামেৰে এটা কন্যা আছিল, তেওঁকে শঙ্কৰদেৱে জ্যেষ্ঠ পুত্ৰ ৰমানন্দলৈ বিয়া কৰালে। কালক্ৰমত পুৰুষোত্তম নামে ৰমানন্দৰ এটি পুত্ৰ জন্ম হ'ল। এদিন পুৰুষোত্তমে গাত ধূলিৰে সৈতে ককাক শঙ্কৰদেৱৰ কোলাত উঠিবলৈ অহা দেখি, বুঢ়ীমাকে বাধা দিলত, শঙ্কৰদেৱে ভাৰ্য্যাক ক'লে, "কিয় বাধা দিছা, আমাৰ নাতিত হে আশা।" শঙ্কৰদেৱৰ সৰু পুতেক হৰিচৰণ ঠাকুৰলৈ ৰামদাসৰ জীয়েক মাধৱদেৱৰ ভাগিনীয়েকক বিয়া কৰোৱা হ'ল। হৰিচৰণ ঠাকুৰৰ এটি ল'ৰা হল তেওঁৰ নাম চতুৰ্ভুজ।

এদিন মাধৱদেৱে তেওঁৰ আলধৰা শ্ৰীৰামেৰে সৈতে গুৰুসেৱা কৰি পাটবাউসীৰপৰা নিজৰ ঠাই গণককুচিলৈ গৈছিল। গণককুচিত থকা তেওঁৰ আলধৰা মাকলীৰ পুতেক ৰামে ৰহাত বহি ঈশ্বৰৰ ৰূপ মনত কল্পনা কৰি মানস-পূজা কৰি ঈশ্বৰৰ চৰণত এপাট বস্ত্ৰময় খৰম পিন্ধাই, আনপাটি পিন্ধাব খোজোঁতেই মাধৱদেৱ বহা পালেগৈ। মাধৱদেৱে অহা গম পাই তেওঁ লৰালৰিকৈ উঠি গুৰুৰ চৰণত পৰি বন্দনা কৰিলত মাধৱদেৱে তেওঁক ক'লে "ৰাম, বন্দনা কৰিলা কিয় ? এপাটি পিন্ধাই আনপাটি নিপিন্ধালা কিয় ?" এই কথা শুনি ৰামে পৰম আচৰিত মানি, দণ্ডৱতে মাধৱদেৱৰ চৰণত পৰি ক্ষমা প্ৰাৰ্থনা কৰিলত, মাধৱদেৱে তেওঁক ক'লে "জানা ৰাম, তুমি মানস-পূজা এৰি দিয়া, তাত অনেক বিঘিনি। মনৰ সুখেৰে সদায়, ঈশ্বৰৰ নাম শ্ৰৱণ কীৰ্ত্তন কৰাঁ, নাম শ্ৰৱণ কীৰ্ত্তনেই ভৱসংসাৰ তৰণৰ উপায় ; এতেকে অহৰ্নিশে নাম নেৰিবা।"

এদিন ৰাতিপুৱা মাধৱদেৱে স্নান-দান কৰি শুচি-সম্ভ্ৰম হৈ শঙ্কৰদেৱৰ পাশলৈ যাওঁতে বাটতে এঠাইত দেখিলে যে এজন মুনিৰ বেশেৰে লোক বিৰিণাৰ পাতৰ মাজত সোমাল। বিৰিণাৰ জোপাৰ মাজৰপৰা তেওঁ মাধৱদেৱক সুধিলে "মাধৱ, তুমি কলৈ যোৱাঁ ?" মাধৱে উত্তৰ দিলে "মই শঙ্কৰদেৱৰ ওচৰলৈ যাওঁ।" বৰাগীজনে ক'লে "তেন্তে মই এটা তোমাক প্ৰশ্ন কৰো—তুমি কাক সেৱা কৰা, আৰু কোন তোমাৰ গুৰু ?" মাধৱে উত্তৰ দিলে "শ্ৰীশঙ্কৰ কল্পতৰু মোৰ গুৰু, মই তেওঁকে সেৱা কৰোঁ।" বৰাগীয়ে শুধিলে 'শঙ্কৰৰ গুৰু কোন ?" এই প্ৰশ্নৰ উত্তৰ নিদি মাধৱদেৱে আহিবলৈ ধৰা দেখি বৰাগীজন অদৃশ্য হ'ল। ইয়াৰ পিছত মাধৱদেৱে আহি শঙ্কৰদেৱৰ ওচৰ পালত, শঙ্কৰদেৱে হাঁহি মাধৱদেৱক শুধিলে "বঢ়াৰ পো, বাটত কি দেখিছিলা, কি ঘটনা হৈছিল কোৱাঁচোন" ? মাধৱদেৱে বাটত হোৱা ঘটনা বিবৃত কৰিলত, শঙ্কৰদেৱে কলে "বঢ়াৰ পো, মোৰ গুৰুৰ পৰিচয় নিদিলা কিয় ? নিদিয়াত বিপৰ্য্যয় হল। দিয়াহেঁতেন তেওঁ নিশ্চয় তোমাৰ আগত তেওঁৰ নিজৰ ৰূপ প্ৰকট কৰিলেহেঁতেন।" এই কথা শুনি মাধৱদেৱে কলে "বাপ, সদায় আপোনাৰ চৰণ দেখিবলৈ পাই আছোঁ, সেয়ে মোৰ পক্ষে যথেষ্ট ; আন কথাত মোৰ প্ৰয়োজন কি ?"

শঙ্কৰদেৱ পাটবাউসীত থকা কালত স্থান-স্থানান্তৰৰপৰা লোকসকলে তেওঁৰ ওচৰলৈ আহি তেওঁৰ প্ৰচাৰিত ধৰ্ম্ম গ্ৰহণ কৰিছিল। তেলীকৃষ্ণ, শিৱানন্দ, বুঢ়া গোপাল, হৰিদাস আতৈ আদি ভকতসকলে আহি প্ৰাৰ্থনা কৰি শঙ্কৰদেৱৰ ওচৰত ধৰ্ম্মক ধৰিলেহি। সকলোৰে ভক্তিৰ পৰীক্ষা কৰিহে তেওঁলোকক শঙ্কৰদেৱে শৰণ দিছিল। কৰ্ণপুৰ, হৰিদেৱ আৰু দামোদৰদেৱকে আদি কৰি দ্বিজসকলে সদায় শঙ্কৰদেৱৰ ওচৰলৈ আহি কৃষ্ণকথা শ্ৰৱণ কৰেহি। নাৰায়ণ আতা, জয়ন্তীয়াৰ মধাই, চান্দসাই, কোবোলা বাটে আৰু হাটী বাটীৰ ভিতৰত যত সেৱক আছে সকলো আহি শঙ্কৰদেৱক বেঢ়ি বহি তেওঁৰ মুখৰপৰা হৰি-কথা শুনি দিনৌ পৰম আনন্দত নিমগন হৈ থাকে। এদিন চাৰিজন চিলাৰ পণ্ডিত ব্ৰাহ্মণ আহি শঙ্কৰদেৱৰ ওচৰত উপস্থিত হ'ল। শঙ্কৰদেৱে তেওঁলোকক সমাদৰ কৰি বহুৱালে। তেওঁলোকে শঙ্কৰদেৱৰে সৈতে নানা শাস্ত্ৰালাপ কৰি এবাৰ কথাৰ চলতে শাস্ত্ৰৰ মত উদ্ধৃত কৰি উলিয়ালে যে পৰব্ৰহ্ম নিৰাকাৰ ; তেওঁৰ কোনো ৰূপ হ'ব নোৱাৰে। শঙ্কৰদেৱে কলে যে "পৰব্ৰহ্ম নিৰাকাৰ হয়, কিন্তু জীৱৰ তৰণ হেতু ব্ৰহ্মই আকাৰ ধৰি প্ৰকাশ হয়। দুষ্টৰ দমন, আৰু সাধুজনক ৰক্ষাৰ নিমিত্তে ব্ৰহ্ম সাকাৰ হৈ অৱতাৰ হয়, যাৰ যশ নাম কীৰ্ত্তন কৰি লোকসকলে ভৱবন্ধন নাশ কৰি বৈকুণ্ঠ পায় গৈ। পৰব্ৰহ্মই গোলোক বৈকুণ্ঠ আদি সকলো স্থানতে

গোপাল যালীপুৰলৈ উভতি আহিল, কিন্তু তেওঁৰ মনত যি ভাব সোমাল সি আৰু পৰিৱৰ্ত্তিত নহ'ল। নন্দদেৱ গোস্বামীয়ে লেখিছে—"যাৰ মন এবাৰ কৃষ্ণৰ চৰণ-পঙ্কজত নিমগ্ন হৈছে তাক এই তুচ্ছ অসাৰ সংসাৰৰ মোহে কেনেকৈ ধৰাব। শঙ্কৰদেৱৰ বাক্যতেই তেওঁৰ মনত কৃষ্ণপদ দৃঢ়ৰূপে অংকিত হৈ গ'ল।" —নন্দদেৱ গোস্বামী বিৰচিত চৰিত্ৰ।

(৩) একোজন ভকতক একোজন ইটাৰ দৰে, ভকতক দুইকো একেলগে "গুৰু বাহিৰ খাটি" দুইকো নিম দৰ্শি দিছে।

মিৰাত আদি নানা ৰূপ ধৰি আছে। আকাৰ বিহীনক চিন্তা কৰিবৰ উপায় নাই দেখি পৰব্ৰহ্মই আকাৰ ধাৰণ কৰে।” এইদৰে গীতা ভাগৱত আদি নানা শাস্ত্ৰৰ মত উদ্ধাৰ কৰি ব্ৰাহ্মণ পণ্ডিত কেইজনক বুজাই কোনোমতেও তেওঁলোকে নুবুজি, খালি কূট তৰ্ক কৰা দেখি শঙ্কৰদেৱৰ ওচৰতে বহি থকা তেওঁৰ মুছলমান বৈষ্ণৱ ভক্ত চান্দ সাইয়ে বিনয় কৰি ব্ৰাহ্মণ কেইজনক ক’লে “মই অতি হীন জাতি, যাক ম্লেচ্ছৰ মধ্যত গণ্য কৰা হয়। মই জনা নজনাকৈ এটি কথা শুধিব খুজিছো, অনুগ্ৰহ কৰি আপোনাসকলে তাৰ উত্তৰ দিব নে?” চান্দসাইৰ কথা শুনি ব্ৰাহ্মণ কেইজনে খঙত উফৰি চিঁটিকি কলে ‘তই অস্পৃশ্য যৱন, তোৰ কথা কোনে শুনে?” কিন্তু চান্দসায়ে তেওঁলোকৰ ভৰকলৈ কাণ নকৰি বাৰে বাৰে মাখোন প্ৰাৰ্থনা কৰবিলৈ ধৰিলে যে তেওঁলোকে যেন দয়া কৰি এবেলি তেওঁৰ কথাটি শুনে। চান্দসায়ে নেৰানেপে-ৰাকৈ লগা দেখি ব্ৰাহ্মণ কেইজনে অত্যন্ত তুচ্ছ-ভাৱে তেওঁক ক’লে, “বাৰু কি সুধিব খুজিছ সোধ।” চান্দসায়ে বিনয় কৰি ক’লে “মোৰ তিনটা ভ্ৰম হৈছে—প্ৰথমতে, ক’ৰপৰা বেদ হ’ল? দ্বিতীয়তে ক’ৰপৰা ব্ৰহ্মা হ’ল? তৃতীয়তে জগৎপাৱনী গঙ্গা ক’ৰপৰা হ’ল? এই তিনটা কথা জানিব খুজিছো, কৃপা কৰি মোক কওক।” পণ্ডিতসকলে উত্তৰ দিলে “শুন যৱন, তেন্তে কওঁ—বেদ বিষ্ণুৰ মুখৰপৰা ওলাল। ব্ৰহ্মাৰ জনম বিষ্ণুৰ নাভি-কমলৰপৰা, আৰু বিষ্ণু-পদৰপৰা গঙ্গাৰ উৎপত্তি হ’ল।” চান্দসায়ে আকৌ সুধিলে “এই তিনি ঠাইত বাজে ঈশ্বৰৰ আৰু আন অঙ্গ প্ৰত্যঙ্গ আছে নে নাই? যদি ঈশ্বৰৰ এই অঙ্গৰপৰা এই তিনি বস্তু বাজ হ’ল, তেন্তে ঈশ্বৰ কেনেকৈ নিৰাকাৰ হ’ল?” চান্দসায়ে এইদৰে তেওঁ-লোকক ঠেকত পেলোৱাত তেওঁলোকে মাতিব নোৱাৰা হৈ লাজ পাই সেমেনাসেমেনি কৰি লাহে লাহে তাৰপৰা উঠি গুচি গ’ল।

এদিন শঙ্কৰদেৱে একাদশীত উপবাস কৰি গোটেই দিন থকাত তেওঁৰ মুখ শুকাই থকা দেখি পত্নীয়ে বলোৰাম আলধৰাক পঠিয়াই দিলে স্বামীক ক’বলৈ, যেন ৰাতি তেখেতে অলপ আহাৰ কৰে। শঙ্কৰদেৱে এই কথা শুনি অলপ খঙকৈ বলোৰামক দূৰ হ বুলি ক’লত, বলোৰাম ঘৰৰ বাজত পানীপোতাতে ৰাতি আৰত কঁপি কঁপি আছিল। ৰাতি শঙ্কৰদেৱে স্বপ্ন দেখি উঠি, বলোৰামক সেই দৰে বাজত কঁপি বহি থকা দেখি, ধন্য মোৰ ভক্ত বুলি প্ৰশংসা কৰি সাদৰ কৰি ঘৰৰ ভিতৰলৈ পঠিয়াই দিলে।

শঙ্কৰদেৱৰ বাক্যত মাধৱদেৱে শাস্ত্ৰ কৰিবলৈ মন কৰি এদিন “ৰাজসূয়” গ্ৰন্থন লেখিবৰ নিমিত্তে পাত মহী আদি যুগুত কৰি বহিছে,এনেতে শঙ্কৰ-দেৱৰ খুৰাকৰ পুতেক ৰতিকান্তই দেখি উপহাস কৰি ক’লে “দদায়ো শাস্ত্ৰ কৰে, তুমিও কৰিবা। লোকে এইটো কথা শুনিলে কি বুলিব।” এনেকৈ কোৱা শুনি মাধৱদেৱে শাস্ত্ৰ নেলেখি থাকিবলৈ ধৰে। শঙ্কৰদেৱে এই কথা পিছত শুনি মনত বিষাদ পালে। এদিন সকলো সেৱকেৰে সৈতে শঙ্কৰ মাধৱ দুইজন বহি থাকোঁতে শঙ্কৰদেৱে মাধৱক সম্বোধন কৰি ক’লে “বঢ়াৰ পো, তোমাৰ আমাৰ ভিতৰত একো ভিন্নপৰ নাই। এই কথা নাজানি মন্দমতি-সকলে আন প্ৰকাৰ কল্পনা কৰে। আজিৰপৰা যত শাস্ত্ৰ কৰিব লাগিব সকলোকে তুমিহে ৰচনা কৰিবা, এই কথা মই নিশ্চয়কৈ ক’লো। তুমি গীত-নাট-পদ আদি ৰচনা কৰি জীৱৰ তৰণৰ উপায় চিন্তিবা। মই বেহাৰলৈ যাবৰ মন কৰিছোঁ। ৰমানন্দক সঙ্গত লৈ গৈ মই কিছুদিন বেহাৰত থাকিম। বঢ়াৰ পো, মোৰ এটি খেদ ৰ’ল,—চাৰি দিশে চাৰি বস্তু প্ৰেৰণ কৰিলোঁ, তাৰ তিনটি চাপিল, এটি নাচাপিল; তোমাৰপৰা সেইটি চাপিব আৰু তাক আমি পাম। তেওঁ সকলো সৰ্ব্বস্ব তোমাৰপৰা লাভ কৰিব। তেওঁৰপৰা অনেক জীৱৰ সদগতি হ’ব। তেওঁতে শেষত তুমি ধৰ্ম্ম সমৰ্পণ কৰি অৱসৰ ল’বা। শুনা বাপু নাৰায়ণ, তুমি এখনি নাও যুগুত কৰি সজোৱা; য’ত যি সেৱকসকল আছে, সকলোকে জান দিয়া, আমাৰ পাশলৈ আহক।”

গুৰুৰ আজ্ঞামতে নাৰায়ণ ঠাকুৰে সকলো কাৰ্য্য কৰিলত, চাৰিওফালৰপৰা সেৱকসকল আহি শঙ্কৰদেৱৰ চৰণত সেৱা কৰি তেওঁক দৰ্শন কৰি গ’লহি। ইয়াৰ পিছত শঙ্কৰদেৱে হাঁহি মাধৱদেৱক ক’লে “মই পূৰ্ব্বে কোৱা কথা তোমাৰ মনত আছে নে? সেই কথা কাৰ্য্যত পৰিণত কৰিবৰ কাল এতিয়া উপস্থিত। এইটি কথা ৰমানন্দৰ মাৰক নকবা। কাইলৈ গণককুচিলৈ যাবলৈ সকলো উদ্যোগ কৰিবা।”

মাধৱদেৱে গণককুচিলৈ গৈ সকলো দ্ৰব্যবস্তু গুৰুৰ অভ্যৰ্থনাৰ নিমিত্তে প্ৰস্তুত কৰি থলে। নাৰায়ণ ঠাকুৰে পিছদিনা ঘাটলৈ নৌকা আনিলত, শঙ্কৰদেৱে ভাৰ্য্যা পুত্ৰ নাতি সকলোকে সাদৰ সম্ভাষণ আৰু আশ্বাস কৰি, সকলো ভকত ওচৰত বিদায় লৈ নৌকাত আৰোহণ কৰি, মাধৱদেৱক গণককুচিলৈ আগেয়েই পঠিয়াই দি, হৰিধ্বনি কৰি যাত্ৰা কৰিলে। তেওঁ ধনুখন্দা আনেৰি গৈ গণক-কুচি পালত, মাধৱদেৱে আগবঢ়াই লৈ গ’লহি। শঙ্কৰদেৱে গণককুচি থান পালতহি, মাধৱদেৱে এখন ঠগিত গুৱা পাণ টকা বস্ত্ৰ শঙ্কৰদেৱৰ আগত থৈ আঠুকাঢ়ি গুৰুৰ কুশল বাৰ্ত্তা পুছিলত, শঙ্কৰদেৱে আচৰিত হৈ সুধিলে “বঢ়াৰ পো, কিয় বা বাৰ্ত্তা সুধিছা? তুমি যে এতিয়াই সকলো বাৰ্ত্তা জানি

আছিলা ?" মাধৱদেৱে উত্তৰ দিলে "বাপ, কিবা অধিকহে আৰু, সেইদেখি লোকা হৈছে।" এই কথা শুনি শঙ্কৰদেৱে সন্তোষ পাই মাধৱক ধন্য বুলি প্ৰশংসা কৰি কৰি ক'লে "জানিলোঁ, তুমি সত্য আছি আছিলা। "জীৱবেসে চিনি-চিনা এই পৰিচয়। বেদান্তৰ সাৰ ইটো জানিলোঁ নিশ্চয়॥"

ইয়াৰ পিছত শঙ্কৰদেৱে মাধৱদেৱক ক'লে "বপাৰ পো, আমাৰ নিমিত্তে তুমি আজি চাউল দিজোৱাঁ।" এই কথা শুনি মাধৱে প্ৰাৰ্থনা কৰি ক'লে "বাপ, সেইটি আজ্ঞা : কৰিব। আপোনাৰ অনেক পৰিয়াল আছে, ইয়াৰ পিছত সেই সকলোৱে আমাক বাহিৰৈদে কৈ ক'ব, যে শঙ্কৰদেৱে তোমাৰ হাতে ভোজন কৰি গৈছে, এতিয়া তুমি আমাক ভোজ বাঢ়ি নিদিবা। এতেকে বাপ, ৰমানন্দ ঠাকুৰেই চাউল দিজাওক, আমাৰ প্ৰতি সেই আজ্ঞা সকৰিব, আপোনাৰ চৰণত এই প্ৰাৰ্থনা কৰিলোঁ।" এই কথা শুনি শঙ্কৰদেৱে হাঁহি ক'লে "বাক সেয়ে হওক আৰু তোমাৰ ভোজনও আমাৰ লগতে হওক।" পিছত ৰমানন্দ ঠাকুৰে অন্ন ব্যঞ্জন বাঢ়ি- প্ৰস্তুত কৰিলত, শঙ্কৰদেৱে তেওঁক আদেশ কৰিলে যে "মোৰে সৈতে বপাৰ পোৰ অন্ন ব্যঞ্জন একত্ৰে দিয়া।" সেই আজ্ঞামতে কাৰ্য্য হ'লত, শঙ্কৰদেৱে মাধৱদেৱেৰে সৈতে একেলগে ভোজন কৰি, একে ঠাইতে বহি তাম্বুল ভোজন কৰিলে, আৰু ৰাতি একেলগে শয়ন কৰিলে।

এইদৰে শঙ্কৰদেৱে জ্ঞান, মায়া, শক্তি, ভক্তি, বল, বীৰ্য্য, পৰাক্ৰম সকলোকে মাধৱদেৱক সমৰ্পণ কৰি পিছদিনা পুৱাই উঠি শুচি-শুভ্ৰবস্ত্ৰ হৈ স্নান-দান নাম-প্ৰসঙ্গ আৰু ভোজনাদি কৰি বঁটালত নাৰায়ণ ঠাকুৰে আহি ধ'ত যি যি লাগে সেইদৰে সকলো বস্তু নাৱত ভৰাই দিলে। সকলো সেৱক হৰিধ্বনি কৰি গুৰুৰ পিছে পিছে আহিল, আৰু গুৰুজনে নৌকাত প্ৰবেশ কৰিলে। মাধৱদেৱে গুৰুৰ চৰণত পৰি প্ৰণাম কৰি কলে "বাপ, আমাকো আপুনি যেন আপোনাৰ পুত্ৰসকলৰ ভিতৰৰ এজন বুলি মানিব।" এই কথা শুনি শঙ্কৰদেৱে প্ৰেমাকুল হৈ ক'লে "শুনা বপাৰ পো, ভাৰ্য্যা পুত্ৰ ধন জন সকলো অনিত্য, সকলোকে কালে হৰণ কৰি নিয়ে। অনিত্যৰ সমান তুমি কিয় হবা ? তুমি আমাৰ প্ৰাণ বান্ধব বুলি জানিবা।" এই বুলি তেওঁ মাধৱদেৱক আলিঙ্গন কৰি, তেওঁৰ মূৰ শুঙি, প্ৰেমাকুল হৈ তেওঁক বিদায় দি নাও মেলি দিলে। শঙ্কৰদেৱে নাৱৰ পানী-কূৰিৰ চৰণত থিয় দি চকুৰে বিপিকি বিপিকি দেখাদেখে সেৱকসকলৰ কালে দৃষ্টি কৰি ৰ'ল আৰু মাধৱকে আদি কৰি সেৱকসকলেও সেইদৰে তেওঁৰ কালে চাই থাকি, তেওঁৰ নাও আৰু নেদেখা হ'লত হে বিষাদিত মনেৰে আপোনাৰ ঠাইলৈ উলটিল।

ইয়াৰ পিছদিনা ৰতিকান্তই গণককুচিলৈ আহি মাধৱদেৱক প্ৰণাম কৰি, আগৰ তেওঁৰ সেই উপহাস বচনৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি ক'লে "শুনা আত্ম, শঙ্কৰ দাদা পৰ্ব্বত সদৃশ আছিল ; তেওঁৰ আৰত তুমি আছিলা ; যেনেকৈ এটা পৰ্ব্বতৰ আৰত আন এটা পৰ্ব্বত থাকিলে আৰৰ পৰ্ব্বতটো চকুত নপৰে, সেইদৰে দাদা থাকোতে তুমি চকুত নপৰিছিলা। সেইদেখি তোমাক তেতিয়া ভালকৈ নেদেখি তুমি শাস্ত্ৰ কৰিব খোজাত উপহাস কৰিছিলোঁ। এতিয়া তুমি মোৰ দোষ ক্ষমা কৰি, শাস্ত্ৰ কৰি, লোকৰ অজ্ঞান অন্ধকাৰ দূৰ কৰাঁ।" এই কথা শুনি মাধৱদেৱে সন্তোষ পালে, আৰু তাৰ পিছৰপৰা "ৰাজসূয়" আদি গ্ৰন্থ ৰচনা কৰিবলৈ ধৰিলে।

মাধৱদেৱে নিতৌ গণককুচিৰপৰা গৈ গুৰুপত্নী আৰু গুৰু পুত্ৰসকলৰ ভু-বতৰা লৈ থাকে, আৰু তেওঁ-লোকৰ সকলো অভাৱ মোচন কৰিবলৈ চেষ্টা কৰে।

ত্ৰয়োবিংশ অধ্যায়

শ্ৰীশঙ্কৰদেৱৰ বৈকুণ্ঠ-প্ৰয়াণ

শঙ্কৰদেৱে যেহাৰ পাই চিলাৰায়ৰ ঘাটত নাও লগালতে, চিলাৰায়ে মহা আনন্দ লভি আগবাঢ়ি আহি শঙ্কৰদেৱক তুলি লৈ গৈ, শঙ্কৰদেৱ আগৰ বাৰ আহি থকা সেই ফুলনিবাৰীৰ ঘৰতে থাকিবলৈ দিলে। চিলাৰায়ৰ ভুবনেশ্বৰীকে আদি কৰি এশ ৰাণীয়ে পাইপতি একোসাজ কাপোৰ, টকা, আৰু একোধাৰ ফুলৰ মালা হাতত লৈ শঙ্কৰদেৱৰ ওচৰলৈ আহি আগত থৈ বহি তেওঁক সেৱা কৰিলত, শঙ্কৰদেৱে তেওঁলোকক সমাদৰ কৰি, তেওঁলোকে তেওঁক দিয়া এশধাৰি মালা লৈ আকৌ সেই মালাকে তেওঁলোকৰ একোধাৰ কৰি দি গলত, পাইপতি একোধাৰকৈ তেওঁলোকে পোৱাৰ পিছত দুধাৰি মালা বাঢ়িল। সেই দুধাৰি মালা শঙ্কৰদেৱে নিজে পিন্ধিলে। এই এশ ৰাণীয়ে শঙ্কৰদেৱৰ ওচৰত ধৰ্ম্ম প্ৰাৰ্থনা কৰি ধৰ্ম্মক ধৰিলে। চিলাৰায়ে নৰনাৰায়ণৰ আগত শঙ্কৰদেৱ আহিছে বুলি কলত, ৰজাই শুনি আনন্দ কৰি কলে "আমাৰ ভাগ্যৰ নিমিত্তেহে শঙ্কৰদেৱ আকৌ আহিছে। শুনা মনু, তুমি তেওঁক ভালকৈ সত্ৰ এখন কৰি দিয়াঁ, আৰু মোৰ পাশলৈ যেন তেওঁ সততে আহি থাকে।" এই কথা শুনি শুক্লধ্বজে সৰুবা কাৰীৰ কলাবাৰীৰ কলগছবোৰ কটাই সেই ঠাইতে হাটী বাটী নানাৰ মণিকূট আদি সজাই দিয়াই শঙ্কৰদেৱক ৰাখিলে। ৰজাই দূত পঠিয়াই শঙ্কৰদেৱক সভালৈ মতাই নি সমাদৰ কৰিলে। ৰজাৰ সভাত জ্যোতিৰ্বিদ পণ্ডিতসকলে শঙ্কৰদেৱৰ লগত শাস্ত্ৰ কৰিবলৈ ৰজাৰ অনুমতি খুজিলত, ৰজাই তেওঁলোকক ক'লে "ইয়াৰ পূৰ্ব্বে

অনেক পণ্ডিত ব্ৰাহ্মণে মিলি শঙ্কৰেৰে সৈতে বাদ কৰি হাৰি লাজ পাই গুচি গৈছিল, তথাপি এতিয়া তোমালোকে বাদ কৰিব খুজিছা। তেওঁৰ সৈতে বাদ কৰিবলৈ গ'লে, নিশ্চয় হাৰি লাজহে পাবা।" এইবুলি ৰজাই অনুমতি নিদিলে। ইয়াৰ পিছত ভট্টাচাৰ্য্যসকলে তেওঁলোকৰ ছাত্ৰবোৰক শঙ্কৰদেৱৰ ওচৰলৈ পঠিয়াই দিলে যাতে তেওঁলোকে সিহঁতৰ মুখে শুনি গম ধৰিব পাৰে, শঙ্কৰদেৱৰ শাস্ত্ৰজ্ঞান কিমান গভীৰ। ছাত্ৰবোৰে শঙ্কৰদেৱ থকা ঠাইলৈ গৈ শঙ্কৰদেৱৰে সৈতে শাস্ত্ৰৰ বিষয়ে দুই চাৰিটা আলাপ কৰি আহি, সিহঁতৰ অধ্যাপক-সকলক ক'লে যে শঙ্কৰদেৱৰ ক্ষমতাৰ কথা কৈ অন্ত কৰিব নোৱাৰি, সিহঁতৰ শাস্ত্ৰৰ কথা তেওঁ মুহূৰ্ত্তেই খণ্ড-বিখণ্ড কৰি পেলালে। ছাত্ৰহঁতৰ মুখে এই কথা শুনি ভট্টাচাৰ্য্যসকলে পৰামৰ্শ কৰি থিৰ কৰিলে যে তেওঁলোকে ৰজাৰ আগত শঙ্কৰৰ প্ৰশংসা কৰি কব; তেনেহলে ৰজাৰ মন তেওঁলোকৰ প্ৰতি প্ৰসন্ন হ'ব। এনে আলচ কৰি তেওঁলোকে ৰাজসভাত শঙ্কৰক প্ৰশংসা কৰি শঙ্কৰৰ মত ভাল বুলিলত, ৰজাই সন্তোষ পাই তেওঁলোকক ধন কাপোৰ আদি বঁটা দিলে।

শঙ্কৰদেৱে প্ৰায় প্ৰতিদিন ৰজাৰ সভাত বহি কৃষ্ণকথা কয়, ৰজা প্ৰজা পণ্ডিত সভাসদ সকলোৱে শুনি মুগ্ধ হয়। ৰজাই সেই বৃন্দাবনীয়া বস্ত্ৰখন উলিয়াই অনায় আৰু শঙ্কৰদেৱে সেই বস্ত্ৰত থকা কৃষ্ণলীলাৰ দৃশ্যবোৰৰ বিষয়ে বৰ্ণনা আৰু ব্যাখ্যা কৰি ৰজাক কয়। এইদৰে কৃষ্ণকথা শুনি শুনি ৰজাৰ মনত লাহে লাহে কৃষ্ণপ্ৰেম উপজিল আৰু শঙ্কৰদেৱৰ প্ৰতি ভক্তি বাঢ়িবলৈ ধৰিলে।

এদিন পশ্চিমৰ পৰা কিছুমান মাল আহি ৰাজসভাত উপস্থিত হৈ ৰজাৰ মালেৰে সৈতে যুঁজ কৰিবলৈ দিবলৈ ৰজাৰ আগত প্ৰাৰ্থনা কৰিলে। ৰজাৰ যিবোৰ মাল আছিল সিহঁতে পশ্চিমীয়া মালবোৰেৰে সৈতে যুঁজ কৰিবলৈ ভয় খাই আগ নবঢ়া হ'ল। ৰজাই কি কৰিব ভাবি নাপাই বিষণ্ণ মনে বহি আছে, এনেতে শঙ্কৰদেৱে উপস্থিত হৈ ৰজাক চিন্তাযুক্ত দেখি কাৰণ সুধি জানিব পাৰি কলে "মহাৰাজ, আপুনি চিন্তা নকৰিব, মই বুদ্ধি কৰি বিদেশী মালবোৰক ভাজ দিয়াই পঠিয়াম। সিহঁতক মহাৰাজে সিধাত চাউল নিদিয়াই ধান দিয়াওক। তেল নিদিয়াই সৰিয়হ দিয়াওক, খৰি নিদিয়াই গোটা বাঁহ দিয়াওক, অন্য কিবা আন দ্ৰব্য একো দিব নালাগে। এইদৰে দিয়াৰ কাৰণ সিহঁতে দূতক সুধিলে, দূতে সিহঁতক কব যে এই দেশৰ মালক সিধা এইদৰেহে দিয়া হয়; এই দেশৰ মালে ধান হাতেৰে মোহাৰি চাউল উলিয়াই লয়, সৰিয়হ হাতেৰে চেপি তেল উলিয়াই লয়, আৰু গোটা বাঁহ হাতেৰে মোহাৰি ভাঙি খৰি কৰি লৈ তাৰে জুই ধৰে।" শঙ্কৰদেৱৰ বুদ্ধি মতে ৰজাই মালক সেইদৰে সিধা দিয়াই পোৱালত, মালহঁতে ভাবিলে "এই দেশৰ মাল আমাতকৈ বহুত বল; ইহঁতৰ লগত যুঁজিলে আমি হাৰি মৰিব লাগিব। এতেকে বলহঁক এতিয়াই পলাই যাওঁহঁক, নহলে ৰজাই নেৰে, ইহঁতৰ সৈতে আমাক যুঁজাব।" এই বুলি সিহঁতে তেতিয়াই ৰাতাৰাতিকৈ পলাই গুচি গ'ল। ৰজাই এনে খোজা শুনি শঙ্কৰদেৱৰ বুদ্ধিৰ প্ৰশংসা কৰিবলৈ ধৰিলে।

এইদৰে শঙ্কৰদেৱ বেহাৰত থকা তেৰ বছৰ হ'ল। মাধৱদেৱৰ গণককুচিত। এদিন মাধৱদেৱে ভাবিলে যে বাণ্ডুকাত তেওঁ ককায়েকৰ বহুত মুঠী-পগাৰ পুতিকল ধন, আৰু তেওঁৰ ককায়েক আৰু বোৱেকহঁতো আশৰণীয়া হৈ আছে; এতেকে তেওঁ এবাৰ বাণ্ডুকালৈ যোৱা উচিত। আৰু যাওঁতে বাটত শঙ্কৰদেৱৰে সৈতে দেখা কৰিও যাব পাৰিব। ইয়াকে ভাবি তেওঁ বাণ্ডুকালৈ যাবলৈ মনোগত কৰি যাত্ৰা কৰিলে। কিছুমান দিনৰ মূৰত শঙ্কৰদেৱৰ আগত উপস্থিত হলত, তেওঁক দেখি শঙ্কৰদেৱৰ আনন্দৰ পাৰ নোহোৱা হল। মাধৱদেৱে শঙ্কৰদেৱৰ পাৱত পৰি প্ৰণাম কৰিলত, শঙ্কৰদেৱে কুশল বাৰ্ত্তা সুধি, তেওঁ কিয় আহিল সোধাত মাধৱদেৱে বাণ্ডুকালৈ যাবলৈ আহিছো বুলি কৈ মনৰ অভিপ্ৰায় ব্যক্ত কৰিলে। শঙ্কৰদেৱে কলে "যাব আহিছা যেতিয়া যোৱাঁ, কিন্তু কাৰ্য্য সিদ্ধি নহব। বঢ়াৰ পো, এটি কাম কৰিবা, বাটত মোৰ সেৱক শিৱানন্দ লস্কৰৰ ঘৰ পাবা, তেওঁৰ ঘৰত অলপ বহি তেওঁক দেখা দি যাবা।" মাধৱদেৱে "ভাল" বুলি কৈ, গৈ অনুক্ৰমে শিৱানন্দ লস্কৰৰ ঘৰ পালেগৈ। শিৱানন্দই মাধৱক সন্মানৰ কৰি আগবঢ়াই আনি প্ৰণাম কৰি বহুৱালে। কিছুমান বেলিৰ মূৰত যেতিয়া মাধৱদেৱ যাবলৈ উঠিল, শিৱানন্দই তেওঁক কলে—"তোমাক প্ৰবৰ্ত্তিবলৈ কিছু দ্ৰব্য বস্তু দিম, তুমি উভতি যাবৰ সময়ত মোৰ ঘৰত সোমাই লৈ যাবা।" শিৱানন্দৰ এই কথা শুনি মাধৱদেৱে মনত বৰ বিষাদ পালে। তেওঁ ভাবিলে "ই মোক লোভী বুলি ভাবিলে। হৰি হৰি। এনে মানুহৰ ঘৰলৈ গুৰুজনে মোক আহিবলৈ কৈছিল।" এইদৰে মনত দুখ কৰি তেওঁ গুচি গ'ল। এইদৰে গৈ তেওঁ কিছুদিনৰ মূৰত বাণ্ডুকা পালেগৈ। তাত তেওঁ কিছুদিন থাকিও তেওঁৰ কাৰ্য্য সিদ্ধি কৰিব নোৱাৰিলে। তেওঁৰ "দদা দাসী"য়ে ধৰ্মক নমানিলে, আৰু তাৰ আন কোনো মানুহে নধৰিলে। ধৰ্মৰ কথা শুনিবলৈ কোনেও আগ্ৰহ প্ৰকাশ নকৰে, বৰং ধৰ্ম ধৰা কথা শুনি নিন্দাহে কৰে। "কিবা বাণী কৰজান। তাতে নাচে চিৰকাল॥" এই প্ৰকাৰে যাতি বাণ্ডুকাৰ লোকসকল ধৰ্মৰ প্ৰতি বিমুখ হয়-

মাধৱদেৱৰ ব্যৰ্থমনোৰথ হৈ বুঢ়ীদশৰ পুথিখনি মাথোন লৈ উভতিল। তেওঁ বাটত আহোঁতে এখন নৈ পাই দেখিলে যে পাৰ হবলৈ নাও নাই। নৈখন তৰাং বুলি তেওঁ পানীত নামি গ'ল; তেওঁৰ হাতত দশম পুথিখন। এনেতে এজনী বুঢ়ী তাতে কৰৰাৰপৰা ওলাই তেওঁক কলে "নাযাবা নাযাবা, বৰ দ পানী, তুমিও তিতিবা আৰু শাস্ত্ৰখনো নষ্ট হব। এপাক ঘূৰি বালিয়েদি গুচি যোৱাঁ।"

এই বুলি কৈ বুঢ়ী অদৰ্শন হল, মাধৱদেৱে চাৰিওফালে চায়ো আৰু বুঢ়ীক নেদেখিলে। মাধৱে ধন্য ধন্য বুলি বুঢ়ীক উদ্দেশ্য কৰি কলে "তোমাৰ নিমিত্তেই আজি মই পানীত বুৰি নমৰিলোঁ, আৰু এই শাস্ত্ৰখনও ৰক্ষা পৰিল। তুমি এই শাস্ত্ৰখন ৰক্ষাৰ কাৰণ হলা, সেইবাবে আজিৰ পৰা ইয়াৰ নাম 'বুঢ়ী-দশম' দিলোঁ।" ইয়াৰ পিচত তেওঁ শিৱানন্দ লস্কৰৰ ঘৰৰ ওচৰ পাই, লোকক শুধিলে, আৰু আন বাট আছে নে নাই। লোকে কলে "আৰু এটা বাট আছে কিন্তু সেই বাটেদি গলে এপৰ বেলিৰ ঘূৰণ হব। শিৱানন্দৰ ঘৰৰ কাষেদি যোৱা তেনেহলে দুই দণ্ডৰ মূৰতে কাকত-কুটা পাবাগৈ।" মাধৱদেৱে শিৱানন্দৰ ঘৰৰ কাষৰ বাটেদি নগৈ, সেই দীঘলীয়া বাটেদি ঘূৰি গৈ গধূলি বেলিকা কাকতকুটা পালেগৈ। কাকত-কুটা পাই তেওঁ শঙ্কৰদেৱৰ চৰণত সেৱা কৰিলত, শঙ্কৰদেৱে তেওঁক শুধিলে "বাপু বঢ়াৰ পো, তুমি ভালে কুশলে আহিলা তো?" মাধৱে কলে "বাপ, আপোনাৰ কৃপাত ভালে আহিলোঁ। কিন্তু আপুনি শিৱানন্দৰ ঘৰলৈ মোক যাব'ল কৈছিল। মই আপোনাৰ আজ্ঞামতে তেওঁৰ ঘৰত ৰহিলত তেওঁ মোক কলে "তুমি উভতি যাবৰ সময়ত মোৰ ঘৰত সোমাই যাবা, প্ৰবৰ্ত্তিবলৈ কিছু দ্ৰব্য বস্ত্ৰ দিম।" শিৱানন্দই মোক লুভীয়া বুলি ভাবি পৰীক্ষা কৰিলে। ঘূৰি আহিবৰ সময়ত সেইদেখি তাৰ ঘৰত নোসোমাই তাৰ ঘৰৰ কাষেদি যিটো বাট সেইটোৰেদিও নাহি ঘূৰণ বাটেদিহে আহিলোঁ।" এই কথা শুনি শঙ্কৰদেৱে দুখিত হৈ কলে "শিৱানন্দই কি কামটো কৰিলে! মোৰ বঢ়াৰ-পো অপৰাধী হল!"

সেইদিনা মাধৱদেৱ শঙ্কৰদেৱৰে সৈতে তাতে থাকি, পিছদিনা প্ৰভাততে উঠি স্নান নাম-প্ৰসঙ্গ ভোজন গুৰুৰ তাতে কৰি আঁতাই গণককুচিলৈ আহিবলৈ বিদায় ল'লত, শঙ্কৰদেৱে ক'লে "শুনা বঢাৰ পো, আগন্ত বৰ্ষত, এই মাহ এই দিনত, মোৰ নিমিত্তে পাঁচ সাত খোজ কাঢ়ি আগবাঢ়ি আহি মোৰ মনৰ কামনা সফল কৰিবা। এতিয়া নিজৰ ঠাইলৈ যোৱাঁ।" মাধৱদেৱে বিষাদিত মনেৰে আহি অনুক্ৰমে গণককুচি পালেহি। তেওঁ পাটবাউসীলৈ গৈ গুৰু-

পত্নীৰ আগত শঙ্কৰদেৱৰ বয়-বাতৰি সকলোবোৰ ক'লত গুৰুপত্নীয়ে মনত অনেক সান্ত্বনা পালে।

ইয়াৰ পিছত মাধৱদেৱে সময়ে সময়ে অনেক গীত ভটিমা নাট আদি শাস্ত্ৰ ৰচনা কৰি ঠায়ে ঠায়ে সেইবোৰ থাপিলে।

চতুৰ্দ্দিংশ অধ্যা
শ্ৰীশঙ্কৰদেৱৰ বৈকুণ্ঠ-প্ৰয়াণ

বেহাৰত শঙ্কৰদেৱ এইদৰে আঢ়ৈ বছৰ ধৰ্ম্মপ্ৰচাৰ কৰি, ৰজাৰ ওচৰলৈ গৈ কৃষ্ণকথা আলাপন কৰি আছে। দিনে দিনে ৰজাৰ শ্ৰদ্ধা ভক্তি শঙ্কৰদেৱৰ ওপৰত বাঢ়ি আহিবলৈ ধৰিলে। এদিন শঙ্কৰদেৱে ৰাজসভাত বহি ঈশ্বৰৰ গুণানুকীৰ্ত্তন কৰি থাকোতে, নৰনাৰায়ণ ৰজাই তেওঁক ঈশ্বৰৰ ৰূপ মস্তকৰপৰা পদপঙ্কজলৈকে বৰ্ণনা কৰিবলৈ ক'লত, ঈশ্বৰ কৃষ্ণৰ ৰূপ শঙ্কৰদেৱে বৰ্ণনা কৰিবলৈ ধৰিলে। বৰ্ণনা শেষ হলত, ৰজাই হঠাৎ শঙ্কৰদেৱক থিয় দিবলৈ কলত, শঙ্কৰদেৱ থিয় হ'ল, ৰজাই শঙ্কৰদেৱক ভালকৈ নিৰীক্ষণ কৰি সেই বৰ্ণিত ৰূপ শঙ্কৰদেৱৰ গাতে দেখিলে। তেতিয়াই ৰজাই বিনয় কৰি শঙ্কৰদেৱক ক'লে "বাপ, মোক শৰণ দি উদ্ধাৰ কৰিব লাগে। আপোনাৰ গাতে আপুনি বৰ্ণোৱা ঈশ্বৰৰ ৰূপ মই প্ৰত্যক্ষ দেখিলোঁ।" শঙ্কৰদেৱে বিনম্ৰভাৱে ৰজাক ক লে "মহাৰাজ, আপুনি কেনেকৈ আমাৰ এই নিৰহ-নিপানী নিৰীহ ধৰ্ম্মক ধৰিব, আপুনি ৰজা, আপোনাৰ অন্য দেৱী দেৱ পূজা নকৰিলে নচলে। অন্য দেৱ দেৱী পূজা নকৰিলে আপোনাৰ ৰাজ্যত বিঘিনি ঘটিব পাৰে।" ৰজাই উত্তৰ দিলে "বাপ, মই তালৈ অলপো ভয় নকৰোঁ। এতেকে আপুনি মোক শৰণ দিয়ক।" ৰজাই দৃঢ়ভাৱে কোৱা এই কথা শুনি শঙ্কৰদেৱে ক'লে "মহাৰাজ, মই ৰজাৰ গুৰু, স্ত্ৰীৰ গুৰু, যাজক ব্ৰাহ্মণৰ গুৰু, আৰু সূচকজনৰ গুৰু নহওঁ বুলি কৈছোঁ, এতেকে মোক ক্ষমা কৰিব।" ৰজাই ক'লে "যি বেদৰ পন্থ নামানে সেইসকলৰ প্ৰতি প্ৰয়োগ কৰিহে আপুনি তেনে বচন বুলিছে, এতেকে কায় বাক্য মনে মই নিশ্চয় কৰিলোঁ, আপুনি মোক শৰণ দিব লাগে, মই আপোনাৰ ধৰ্ম্মক ধৰিবৰ নিমিত্তে বৰকৈ আশা কৰিলোঁ, আপুনি মোক নিৰাশ নকৰিব।" ৰজাই এনেকৈ কেৰ্ জেৰকৈ ধৰিলত শঙ্কৰদেৱে কোনোমতে সাৰিব নোৱাৰি, সুমধুৰভাৱে ৰজাক ক'লে "মহাৰাজ, আপোনাৰ যদি নিতান্ত শৰণ ল'বৰ মন হৈছে, তেন্তে কাইলৈ আপুনি উপবাসে থাকক, পৰশুইলৈ ঈশ্বৰে কৰিলে, শৰণ দিবলৈ অহা হ'ব। অৱশ্যে ঈশ্বৰেহে সকলো কাৰ্য্য সিদ্ধি অসিদ্ধি কৰে। এতেকে পৰশুইলৈ যদি ঈশ্বৰে সিদ্ধি কৰে, আপোনাৰ মনস্কামনা সিদ্ধি হ'ব পাৰে।"

এই বুলি শঙ্কৰদেৱে ৰজাৰ ওচৰত বিদায় লৈ নিৰানন্দ মনে কাকতকুটালৈ আহিল। ৰজাই শৰণ ল'ব খুজিছে, তেওঁৰ ভক্তিৰ পাত্ৰ আৰু সম্মানৰ গুৰু শঙ্কৰদেৱে তেওঁৰ জ্যেষ্ঠভ্ৰাতা মহাৰাজ নৰনাৰায়ণৰো গুৰু হৈ ৰজাঘৰীয়া সন্মান লভিব, এই বাতৰি শুনি শুক্লধ্বজৰ আনন্দৰ পাৰ নোহোৱা হৈ তেওঁ শঙ্কৰদেৱক ক'লে "আজি মোৰ কি আনন্দ! এতিয়াৰপৰা দদাও আমাৰ সঙ্গী হ'ল।" চিলাৰায়ৰ আনন্দ উচ্ছ্বাস শুনি শঙ্কৰদেৱে একোকে নামাতি তেওঁৰ নিজৰ থানলৈ গ'ল। "আমাৰ গুৰুজন শঙ্কৰদেৱ ৰজাৰ গুৰু হ'ব, আজিৰপৰা আমাৰ সকলো দুখ গুচিব," এই বুলি সকলো সেৱকে আনন্দ প্ৰকাশ কৰিবলৈ ধৰিলে। শঙ্কৰদেৱে স্নান, নাম প্ৰসঙ্গ আৰু ভোজন আদি কৰি থাকিল।

পিছদিনা ৰজাই ব্ৰতে উপবাসে থাকি মনোৰম কৰি দিব্য নতুন ঘৰ এটি নিৰ্ম্মাণ কৰালে। তাৰ পিছদিনা তেওঁ পুৰা শুচি সম্ভ্ৰমন হৈ শঙ্কৰদেৱক আনিবলৈ দূত পঠিযাই দিলে। ঠিক এই সময়তে শঙ্কৰদেৱৰ বুঢ়াআঙ্গুলিত ফোৰা এটাই দেখা দিলে। ভকতসকলে আহি তেওঁক জনালে যে ৰজাই তেওঁক লৈ যাবলৈ দূত পঠিয়াই দিছে। শঙ্কৰদেৱে তেওঁৰ আঙ্গুলিত হোৱা ফোৰাটোৰপৰা বৰকৈ পীড়া পাই দূতক ক'লে যে "মই যাব নোৱাৰিম, মোৰ বৰ পীড়া হৈছে, ৰজাক জনোৱাগৈ।" দূতে তেতিয়াই উভতি গৈ ৰজাক সেই বাতৰি দিলেগৈ। দূত গ'লতে ইফালে শঙ্কৰদেৱে ভকতসকলক ক'লে "যাব লাগে যদি মই একেবাৰেই যাম," এই বুলি তেওঁ কমণ্ডলুটি লৈ মুখ প্ৰক্ষালন কৰি, নতুন বস্ত্ৰ পৰিধান কৰি, টেপৰ গছৰ তলত শয্যা পতাই পুব মুখে পদ্মাসন কৰি বহিল। সেৱকসকলে ভাবিছিল যে গুৰুজনে ৰজাৰ ঘৰলৈ যাবলৈহে হাত মুখ ধুই নতুন কাপোৰ পিন্ধি এনেকৈ প্ৰস্তুত হৈছে; কিন্তু এতিয়া তেওঁ তেনে কৰা দেখি সকলো সেৱকে বিস্মিত হৈ তেওঁক আৱৰি ধৰিলে। এনে সময়তে ৰজাৰ ঘৰৰপৰা আকৌ মানুহ আহি পালেহি। ৰমানন্দ ঠাকুৰে পিতৃৰ চৰণত পৰি সকাতৰে প্ৰাৰ্থনা কৰিলে "পিতৃদেৱ, মই একো নাপালোঁ।" এই কথা শুনি শঙ্কৰদেৱে তেওঁক কলে "বাপু ৰমানন্দ, সোণ, ৰূপ, কাঁহ, আৰু আন আন সকলো বস্তু তোমাৰ মাৰৰ হাতত আছে; এই ঠাইতো বিস্তৰ ধন সম্পত্তি পাইছিলোঁ, শুক্লধ্বজ ৰজাৰ ৰাণী ভুৱনেশ্বৰীকে আদি কৰি এশজনা ৰাণীৰ পৰা বি এশজোৰ সাজ পাইছিলোঁ সেই সকলোবোৰ তোমাৰ হাততে আছে। আৰু তুমি কি খুজিছা কোৱাঁ?" পিতৃৰ এই কথা শুনি ৰমানন্দ ঠাকৰে সবিনয়ে ক'লে "পিতৃ, পকৰৰত মিত্ৰ মই একো নাপালোঁ মই সেই বিত্তহে খুজিছোঁ।" এই কথা শুনি শঙ্কৰদেৱে পুত্ৰেকক ধন্য ধন্য বুলি প্ৰশংসা কৰি কলে "বাপু, এই দ্ৰব্য খুজি তই মোক আনন্দ দিলি। মই জানিছিলোঁ, তই মোৰ সাংসাৰিক সম্বন্ধহে পুত্ৰ; এতিয়াহে তোৰে সৈতে মোৰ আচল পিতা পুত্ৰৰ সম্বন্ধ ঘটিল। কিন্তু বাপু, এই সময়ত মোৰ শৰীৰ বিকল হৈ পৰিছে। তই আৰু সেই দ্ৰব্যৰ নিমিত্তে খেদ নকৰিবি। বঢ়াৰ-পোৰে সৈতে মোৰ কোনো ভেদ নাই। বঢ়াৰ-পোক মই যেনেকৈ মোৰ শক্তি ভক্তি বল বীৰ্য্য পৰাক্ৰম সকলো সমৰ্পণ কৰি আহিলোঁ তই স্বচক্ষে দেখিলি। এতেকে তই বঢ়াৰ-পোক মোৰ স্বৰূপ জানি গুৰু বুলি মানি তেওঁৰপৰা ধৰ্ম্ম-বস্তুক লভিবি।" ইয়াৰ পিছত শঙ্কৰদেৱে অনাচাৰী গুৱালৰ দৃষ্টান্ত কৈ, নিজৰ চিত্ত ঈশ্বৰত সমৰ্পণ কৰি, গীত, ঘোষাৰ পদ যি যি উচ্চাৰণ কৰিব লাগে তাক উচ্চাৰণ কৰি, টেপৰ গছত আউজি গাইপতি যাক যেনেকৈ মাত লগাব লাগে সকলোকে সেইদৰে মাত বোল লগাই বিদায় লৈ, ১৪৯০ শকত ভাদৰ শুক্লা দ্বিতীয়া তিথিৰ দিনৰ ডেৰপ্ৰহৰত নশ্বৰ দেহ পৰিত্যাগ কৰি বৈকুণ্ঠ প্ৰয়াণ কৰিলে।

গুৰুজনা চলা দেখি সকলো সেৱক শোকাকুল হৈ পৰিল। দূতৰ মুখে নৰনাৰায়ণ ৰজাই অকস্মাৎ ঘটা এই শোকৰ বাতৰি শুনি মহা খেদ কৰি ৰাগৰি ৰাগৰি কান্দি ক'লে "হায়! মই অনাচাৰী ৰজা দেখি গুৰুজনে মোক শৰণ নিদি গুচি গ'ল; আৰু বা তেওঁ কতদিন এই পৃথিৱীত থাকিলহেঁতেন।" ৰজাই তেতিয়াই বিস্তৰ ঘিউ, চন্দন আৰু আগৰ-কাঠ ৰাজভঁৰালৰপৰা, শঙ্কৰদেৱৰ শৱ দাহৰ নিমিত্তে পঠিয়াই দি, নিজে ভূমিপাৰে ভায়েক চিলাৰায়ৰে সৈতে আহি, শঙ্কৰদেৱৰ পাৱত পৰি ক্ৰন্দন কৰিবলৈ ধৰিলে। তাৰ পিছত ৰজা তাৰপৰা আহি, সেইদিনা "আইধাইৰে সৈতে দুয়ো অভোজনে ৰ'ল। সেৱক-সকলে শঙ্কৰদেৱৰ শৱ মহাসমাৰোহেৰে সৈতে লৈ গৈ কাকতকুটাৰ পাৰত আম কাঠেৰে চিতা প্ৰস্তুত কৰি তাত স্থাপন কৰিলে। ৰমানন্দ ঠাকুৰে মুখাগ্নি কৰিলে। চন্দন কাঠ আৰু ঘৃতাদিৰ যোগত ধমু ধমু কৰে আকাশ লংঘি জুই উঠিল আৰু অলপ সময়ৰ ভিতৰতে কাষ্ঠসংস্কাৰ কাৰ্য্য সম্পাদিত হ'ল।

শঙ্কৰদেৱৰ শৱ দাহ কৰিবৰ নিমিত্তে কৰা চিতাৰ যি চাৰিটা আম কাঠৰ গোজ পোতা হৈছিল তাতে এটাৰপৰা গজালি মেলি, ক্ৰমে সেয়ে এজোপা প্ৰকাণ্ড আম গছ হৈ পৰিল। সেই গছ জোপা তিনি শ বছৰ জীয়াই আছিল। তাৰ পিছত সেই গছজোপা মৰি ভাগি পৰিলত, তাৰ মূঢ়া ফুটি তাৰপৰা এজোপা আমৰা গছ হ'ল। কতকালৰ পিচত সেই আমৰাজোপা মৰিলত, তাৰ মূঢ়াৰপৰা

চোতালগছ এজোপা গজি ওলাল। শঙ্কৰদেৱে আউজা ঠেঁপৰ গছজোপা সেৱকসকলে বৰ যতনকৈ ৰাখিছিল। ১৭৭০ শকৰ আহিন মাহত চৌবোচা নৈৰ পানী হঠাৎ বাঢ়ি আহি কাকতকুটা মৰি সুতীয়েদি গোসাঁই গৈ দুদণ্ডৰ ভিতৰতে সেই ঠাইৰ সত্ৰখন বহাই নিলে, আৰু তাৰ লগে লগে সেই গছ জোপা নাইকিয়া হ'ল।

শঙ্কৰদেৱৰ শৱৰ কাঠ-সংস্কাৰ আদি কাৰ্য্য হৈ যোৱাৰ পিছত নৰনাৰায়ণ ৰজাই দূত পঠাই দি ৰামানন্দ ঠাকুৰক কোৱালে যে "মই সকলো দ্ৰব্য বস্তু দিওঁ, গুৰুজনৰ শ্ৰাদ্ধবিধি ইয়াতে কৰি, তুমি পাছত ঘৰলৈ যাবা।" ঠাকুৰে ৰজালৈ জনাই পঠিয়ালে— "আমাৰ ইয়াত জ্ঞাতি কুটুম্ব কোনো নাই, কেনেকৈ ইয়াত শ্ৰাদ্ধাদি কৰা হ'ব। মহাৰাজে অনুগ্ৰহ কৰি মোক সোনকালে নৌকা দিয়ক, মই পাটবাউসীলৈ গৈ তাত পিতৃদেৱৰ শ্ৰাদ্ধাদি কাৰ্য্য সমাপন কৰো, বিশেষ তাত পিতৃদেৱৰ প্ৰধান শিষ্য মাধৱদেৱ আছে, সেই নিমিত্তে তালৈকে যাবলৈ মোক অনুমতি দিয়ক।" ৰজাই ঠাকুৰৰ এই প্ৰাৰ্থনা দূতৰ মুখে শুনি তেতিয়াই খেলনাও পঠিয়াই দিলে; তাতে উঠি ৰামানন্দ ঠাকুৰ দিনে ৰাতিয়ে আহিবলৈ ধৰিলে। ন দিনৰ দিনা গধূলি পৰত ঠাকুৰ গণককুচি পালেহি। মাধৱদেৱ ঠিক সেই সময়তে আগবাঢ়ি আহি বাটত থিয় হৈ আছিল। ঠাকুৰ নাৱৰপৰা উঠি অহা মাধৱদেৱে দূৰৰপৰা দেখি এই গীতটি "আলোকন" কৰি গালে—

"আলো মই কি কহব দুখ।
পৰাণ নিগৰে নেদেখিয়া চান্দ মুখ ॥
কত পুণ্যে লভিলোঁ গুণৰ নিধি শ্যাম।
বঞ্চিয়া নিলেক নিকৰুণ বিধি বাম ॥
শ্যাম কানু বিনে মোৰ নাৰহে জীৱন।
হা শ্যাম বুলিতে আকুল কৰে মন ॥
দিৱস নাযায় সুখে নাযায় ৰজনী।
চান্দ চন্দন মন্দ পৱন বৈৰীনি ॥
কোথা যাওঁ কোথা থাকোঁ কিবা কৰে মন।
কানাইৰ নেওচনি দিওঁ সবে বন্ধুজন ॥
শ্যাম কানু বিনে জীৱনৰ কিবা কাজ।
বিৰহ অনল জ্বলে হৃদয়ৰ মাজ ॥
নাজানো দাৰুণ বিধি কি কৰে বিপত্তি।
কহয় মাধৱ ৰঙ্গা পদে মোৰ গতি ॥"

গীতটি গোৱা শেষ হৈছে, এনেতে ৰামানন্দ ঠাকুৰ আহি মাধৱদেৱৰ ওচৰ পালেহি। ঠাকুৰে মাধৱক প্ৰণাম কৰি কান্দি পিতৃবিয়োগ বাৰ্ত্তা জনাই সকলো বৃত্তান্ত আগৰপৰা শুবিলৈকে প্ৰপঞ্চি ক'লে। ঠাকুৰে আৰু খেদ কৰি ক'লে—"কাইলৈ দহাৰ দিন, একো দ্ৰব্যবস্তুৰ যোগাৰ নাই।" এই কথা শুনি মাধৱদেৱে ঠাকুৰক সান্ত্বনা দি ক'লে "তুমি একো চিন্তা নকৰিবা, মই সকলো দ্ৰব্যবস্তুৰ আয়োজন কৰি থৈছোঁ। দধি, চাউল, ঘৃত, গুড়, মগুমাহ, চিৰাচুৰ সকলো প্ৰস্তুত আছে, লৈ মই যাব লাগিছোঁ।" এই বুলি মাধৱদেৱে সকলো দ্ৰব্যবস্তু নাৱত ভৰাই লৈ ঠাকুৰেৰে সৈতে পাটবাউসীলৈ গ'ল। পাটবাউসীৰ ঘাট পাই তেওঁ ঠাকুৰক আগতে ঘৰলৈ পঠিয়াই দি পিছে পিছে গ'ল। তেতিয়া ৰাতি এপৰমান হৈছিল; ঠাকুৰৰ মাতৃ শয্যাত শয়ন কৰি আছিল। ঠাকুৰে বাহিৰৰ পৰা "আই" বুলি মাত লগালত তেওঁৰ মাতৃয়ে মাত বুজি লৰালৰিকৈ বাহিৰলৈ ওলাই আহি দেখিলে—ঠাকুৰৰ মূৰত গামোছা বন্ধা। মাতৃয়ে তেনে দেখি পুত্ৰেকক সুধিলে "বাপু, কেনে কথা। মোৰ গোসাঁইৰ কি হ'ল ক মোৰ বোপাই?" ৰামানন্দই ক'লে "আই আৰু সুধিব নালাগে। পিতৃ বৈকুণ্ঠ-প্ৰয়াণ কৰিলে। আজি ৯ দিন।" এই কথা শুনি মাতৃ মূৰ্চ্ছিত হৈ পৰিল। কিছু ক্ষণৰ মূৰত তেওঁ জ্ঞান পাই ৰাগৰি ৰাগৰি কান্দিবলৈ ধৰিলে। মাধৱদেৱে অনেক প্ৰবোধ দি তেওঁক থিৰ কৰিলত, মাতৃয়ে ক'লে "গুৰুজন খ্যাতিমন্ত। তেওঁৰ দহাৰ বাতৰি শুনি সকলো আহিব। দ্ৰব্যবস্তুৰ একো আয়োজন নাই। এতেকে কেনেকৈ দহা হয়, কি কৰা যায়!" মাধৱে গুৰুপত্নীক ক'লে "আই আপুনি চিন্তা নকৰিব, মই সকলো দ্ৰব্যবস্তুৰ আয়োজন কৰি আনিছোঁ, দহা কাৰ্য্য সুন্দৰৰূপে সম্পন্ন হ'ব।" ইয়াৰ পিছত গুৰুপত্নীয়ে স্নান কাৰ্য্য কৰি মাধৱদেৱক ক'লে "বোপা যেনেমতে যি কৰিব লাগে কৰা, মই অনাথিনী বিমোৰত পৰিছোঁ।" মাধৱদেৱে ৰাতিয়েই ভকতসকলক ঠায়ে ঠায়ে পঠিয়াই সকলোকে খবৰ দিয়ালে। প্ৰভাততে নাৰায়ণ ঠাকুৰে আহি ডাঙৰকৈ ৰভা এখন সজালে; নানা দ্ৰব্য বস্তু লোকজন নিয়োজন কৰিলে; মহা সমাৰোহেৰে দহাৰ কাৰ্য্য সুসম্পন্ন হ'ল। ৰামানন্দ ঠাকুৰে ৰামৰাম গুৰুক লগত লৈ পিণ্ডৰ কাৰ্য্য সমাধা কৰি শুদ্ধ হৈ আহি বহিলত, মাধৱদেৱে সেৱকসকলেৰে সৈতে হৰিকীৰ্ত্তন কৰিলে। ইয়াৰ পিছত ব্ৰাহ্মণ ভক্ত সকলোকে নিয়মমতে ভোজন কৰোৱা হৈ মহামহোৎসৱ সম্পাদিত হ'ল। ঠিক এনে সময়তে নাৰায়ণদাস ঠাকুৰ আতাই ৰামানন্দ ঠাকুৰক সুধিলে "ঠাকুৰদেৱ, তোমাক এটি কথা সোধোঁ; তুমি গুৰুজন শঙ্কৰদেৱৰ বৰ পুত্ৰ, দ্বিতীয় শঙ্কৰ, সৰ্ব্ব-গুণালঙ্কৃত। শ্ৰীমন্ত শঙ্কৰগুৰুৱে চলিবৰ সময়ত কাক কি বাক্য বুলি গ'ল তুমি অনুগ্ৰহকৈ আমাক কোৱাঁ-চোন, আমি খেদ-সাগৰৰপৰা তৰোঁ।" ৰামানন্দ ঠাকুৰে উত্তৰ দিলে "পিতৃদেৱ চলিবৰ সময়ত মই তেওঁৰ চৰণত পৰি চৰণৰ ধূলি মূৰত লৈ কাতৰ কৰি তেওঁক ক'লোঁ—, পিতা, মই একো নাপালোঁ। মোৰ

কথা শুনি পিতৃদেৱতাই কলে—"ধন সোণ সকলো দ্ৰব্যবস্তু তোমাৰ মাতৃৰ হাতত আছে, আৰু তুমি কি নাপালোঁ বুলি কৈছা ?" মই ক'লো, "পিতা, মই পাৰ্থিৱ ধনসম্পত্তি বিচৰা নাই, পৰকালৰ বিত্তহে বিচাৰিছোঁ।"এই কথা শুনি পিতৃদেৱতাই সন্তোষ লভি মোক ক'লে 'বাপু, ৰমানন্দ, আজিৰ পৰাহে আমাৰ পিতা পুত্ৰৰ সম্বন্ধ ঘটিল। এতিয়া মোৰ অন্তকাল, শৰীৰ বিকল ; এতেকে এই সময়ত তোমাক একো তত্ত্বৰ কথা ক'ব নোৱাৰো। মাধৱক মই মোৰ শক্তি ভক্তি বল বীৰ্য্য পৰাক্ৰম সকলো সমৰ্পণ কৰি আহিছোঁ। তেওঁক তুমি শিষ্য ভাই বুলি নাভাবি গুৰু বুলি মানিবা। তুমি তেওঁক মোৰ প্ৰতিনিধি বুলি তেওঁৰপৰাই ভক্তিধৰ্ম্মপথৰ উপদেশ লভিবা।' —এতেকে শুনা নাৰায়ণদাস, মাধৱৰ বাহিৰে মোৰ আৰু কোনো গুৰু নাই।" এই কথা কৈ ৰমানন্দ ঠাকুৰ মৌন হলত, সকলোৰে মনত ৰঙ্গ হ'ল ; নাৰায়ণদাস ঠাকুৰ আতাই আনন্দত নাচিবলৈ ধৰি ক'লে "গুৰুজনৰ কিনো সৰ্ব্বানন্দ গুণ। তেওঁ কি বিচক্ষণ। গুৰুজনে তেওঁৰ পিছত ঘটিবৰ সন্তৱ থকা সকলোৰে দন্দ ভাঙি থৈ গ'ল।" এই বুলি ঠাকুৰ আতাই টকা বস্ত্ৰ আদি ঠগিত থৈ আগবঢ়াই সকলো সভাসদৰ মাজত মাধৱদেৱৰ আগত থৈ ক'লে "গুৰুজনে যাৰ হাতত নিজৰ জ্যেষ্ঠ পুত্ৰক সমৰ্পণ কৰি যাক জ্যেষ্ঠ পুত্ৰৰ গুৰু পাতিলে তেওঁৱেই আজিৰ পৰা আমাৰ সকলোৰে নিজগুৰু হ'ল।" এই বুলিলত সকলো সেৱকে হৰিধ্বনি কৰি বাদ্যভাণ্ড বজাই মাধৱদেৱক ধৰ্ম্মৰ অধিকাৰ পদত অভিষেক কৰিলে। এই দৰে মহামহোৎসৱ সমাপনৰ অন্তত সকলো যথাযথি গ'ল। মাধৱদেৱে গুৰুপত্নীক প্ৰণাম কৰি ঠাকুৰসকলক আশ্বাস কৰি, ঠাকুৰ আতাৰে সৈতে নিজৰ থান গণককুচিলৈ গ'ল।

ইয়াৰ পিছত শঙ্কৰদেৱৰ মাহেকীয়া শ্ৰাদ্ধৰ সময় উপস্থিত হ'লত, মাধৱদেৱে সকলো সেৱকক মতাই আনি কলে যে "গুৰুৰ শ্ৰাদ্ধ মহাসমাৰোহেৰে সম্পাদন কৰিব লাগে। সকলো ভক্ত সাধু ব্ৰাহ্মণসকলক নিমন্ত্ৰণ কৰা, যাতে জগৎগুৰুৰ শ্ৰাদ্ধ উৎসৱলৈ সকলো আহে।"নিমন্ত্ৰণ পাই ব্ৰাহ্মণ সজ্জন ভক্ত সেৱক সকলো আহিল, কিন্তু দামোদৰদেৱে নাহি বহুত দ্ৰব্যবস্তু নাৱত ভৰা দি পঠিয়াই দিলে। মাধৱদেৱে দামোদৰদেৱৰ নহা দেখি সোধাই পঠিয়ালত, দামোদৰদেৱে ক'লে যে "মাধৱদেৱৰ যেনেকৈ শঙ্কৰদেৱৰ বাক্যত ধৰ্ম্মাধিকাৰ, ময়ো তেনে। সেইদেখি মই তেওঁৰ নিমন্ত্ৰণত শ্ৰাদ্ধলৈ নগৈ, শ্ৰাদ্ধৰ নিমিত্তে দ্ৰব্যবস্তু নাৱত ভৰা দি পঠিয়াই দিলোঁ।" এই উত্তৰ শুনি ৰমানন্দ ঠাকুৰদেৱে ক্ৰোধ কৰি ক'লে "পিতৃদেৱ গুৰুজন শঙ্কৰদেৱ মাধৱদেৱৰ সৈতে অভেদ। বামুণীপোৱে দুইকে ভেদ কৰি কয়। এতেকে তেওঁৰ বস্তুত আমাৰ প্ৰয়োজন নাই।" এই বুলি দামোদৰদেৱে পঠিওৱা বস্তবোৰ তেওঁ মাধৱদেৱৰ আজ্ঞা লৈ নৈত ডুবাই দিলে। সেইদিনাৰপৰা দামোদৰদেৱৰ এৰা পৰি মহাপুৰুষীয়া সম্পদায়ৰ বাজ হল। (১)

মাধৱদেৱে প্ৰতিদিন গণককুচিৰপৰা আহি গুৰুপত্নী আৰু ঠাকুৰসকলৰ বুজ লৈ থাকে। শঙ্কৰদেৱৰ সাম্বৎসাৰিক শ্ৰাদ্ধ মহাসমাৰোহেৰে সৈতে সমাপিত হোৱাৰ পিছত ৰমানন্দ ঠাকুৰ বসন্ত ৰোগত আক্ৰান্ত হ'ল। মাকলীৰ-পো ৰাম আতৈৰো বসন্ত ওলাল। মাধৱদেৱে দিনে ৰাতিয়ে পাটবাউসীলৈ আহি ঠাকুৰৰ শুশ্ৰূষা কৰিবলৈ ধৰিলে। মাকলীৰ-পো ৰামকো ঠাকুৰৰ ভৰি-পথানতে নি ৰখা হল। এদিন ৰাতি মাকলীৰ-পো ৰামে ঠাকুৰক প্ৰাৰ্থনা কৰি কলে "মোকো লগতে নিব।" ঠাকুৰে কলে "ভাল, মোৰ লগতে চলিবা।" মাধৱদেৱে ওচৰতে

---

(১) দামোদৰদেৱৰে সৈতে বিচ্ছেদ হোৱা ঘটনাৰ বিৱৰণ দৈত্যাৰি ঠাকুৰৰ হুপা-পুথিত এইদৰে আছে—"শুনা বেন বেন কথা আৰো আত অনন্তৰ। তৈলা মহামহোৎসৱ তিথি শঙ্কৰৰ ॥ সবে লোক গৈল হৰি কীৰ্ত্তন চাহিতে। গৈলন্ত মাধৱদেৱ আনন্দিত চিতে ॥ দামোদৰ গুৰুক নেদেখি সভা মাজে। পুছিলা মাধৱে হৰিচৰণত পাছে ॥ নামাতিলা কিয় দামোদৰক সভাক। শুনি কহিলন্ত হৰি চৰণে কথাক ॥ প্ৰভাতে ভকত পঠাইছিলোঁ মাতিবাক। তেহেঁ বুলিলন্ত মই নপাৰোঁ যাইবাক ॥ পাছে গৈয়া আপুনি বুলিলোঁ আসিবাক। নাযাইবো বুলিয়া তেহোঁ পঠাইলা আমাক। পুছিলন্ত কি কাৰণে নযাইবন্ত এবে। তেহো বোলা তোমাৰ ঘৰক যাওঁ যেবে ॥ তবে আলো বুলিবেক যাইবাক আমাক। নযাবো ঘৰক মোৰ লাগিবে যাইবাক। এতেকে নাযাইবোঁ বাপু ঘৰক যাবোক। এহি বুলি প্ৰবোধিয়া পঠাইলন্ত মোক ॥ শুনিয়া মাধৱদেৱে বুলিলন্ত হাসি। আমৰে তোমাৰ ঘৰ সব তৈল আসি ॥ নামাতিলে আসিবাক লাগে আপোনাৰ। মাতিলে মানন্ত ভাল বুজিলন্ত সাৰ ॥ আৰ আন বেলা পুনু নামাতিলা তাক। এহি বুলি হৰিচৰণক দিলা হাক ॥" —দৈত্যাৰি।

"আৰ এক দিন, তৈল কথা যেন, কহোঁ শুনিবাক তাক। দামোদৰ গুৰুক মাধৱদেৱে আনি বুলিলন্ত যাক ॥ আমি যাক দণ্ড কৰোঁ তাক কেনে, দিয়া ঠাঁই দামোদৰ। তেহেঁ বোলা মই কাহাক খেদিব, কেহোঁ নোহে মোৰ পৰ ॥ মাধৱে বোলন্ত সত্ৰ কৰি আছা, আচাৰ্য্য স্বৰূপ হই। বিধৰ্ম দেখিয়া শিক্ষা নেদিবাক, তোমাৰ দূষণ নুই ॥ তেহেঁ বুলিলন্ত যি দণ্ড কৰে কৰে দিতো আপোনাক। তাৰ দোষচয় আমাৰ নাশয় কিবা হেতু দেখিবাক ॥ তোমাক শঙ্কৰদেৱে থাপিছন্ত, তুমি সে পাৰা দেখিবে। দোষগুণ যত, তুমিসি শকত ৰাখিবে ভাল খেদিবে ॥ আমাক শঙ্কৰদেৱে থপা নাই, এতেকে জানা আমাৰ। ৰাখিবে খেদিবে, লোকক দেখিবে নাহিকয় অধিকাৰ। আতে শতধন ৰাজা কথা তুলি মাধৱদেৱে কহিল। পুৰাণৰ কথা বুলি দামোদৰ গুৰু তাক নামানিল ॥ মাধৱে বোলন্ত স্ত্ৰীধৰ স্বামীয়ো পুৰাণৰ টীকা তুলি। টীকা কৰিলন্ত এঁহে নামান পুৰাণৰ কথা বলি ॥ দামোদৰ গুৰু

ভই আছিল, তেওঁ এই কথা শুনি বুজিলে যে ৰমানন্দ ঠাকুৰ আৰু নাথাকে। পিছদিনা ৰাতিপুৱা ৰমানন্দ ঠাকুৰ আৰু তাৰ ক্ষন্তেকৰ পিছতে মাকলীৰ-পো ৰামৰ মৃত্যু হ'ল। গুৰুপত্নী পুত্ৰ শোকত অধিৰ হলত, মাধৱদেৱে তেওঁক অনেক বুজাই সান্ত্বনা দি, ঠাকুৰৰ কাঠ সংস্কাৰ কৰিলে। ঠাকুৰৰ ভৰিপথানতে ৰামৰো চিতা পাতি তেওঁৰ শৱ দাহ কৰা হল। ইয়াৰ পিচত ঠাকুৰৰ শ্ৰাদ্ধাদি কাৰ্য্য সমাপন কৰা হ'ল।

মাধৱদেৱে দিনৌ পাটবাউসীলৈ আহি গুৰুপত্নী আৰু ঠাকুৰসকলৰ বুজ-বাজ লৈ থকা দেখি, এদিন শঙ্কৰদেৱৰ খুৰাকৰ পুতেক ৰতিকান্তই মাধৱদেৱক খংকৈ ক'লে "তুমি উদাসীন মানুহ, তুমি কিয় দিনৌ পাটবাউসীলৈ দাদাৰ ঘৰলৈ যোৱা? তোমাৰ বেয়া নালাগে নে?" এই বচন শুনি মাধৱদেৱে বৰ বেজাৰ পাই বেহাৰলৈ গুচি যাবৰ মন কৰি এদিন গুৰুপত্নীক ক'লে "আই, মই বেহাৰলৈ যাবলৈ ইচ্ছা কৰি আপোনাৰ ওচৰত বিদায় লবলৈ আহিছোঁ। ৰতিকান্তকে আদি কৰি আপোনাৰ বংশৰ গিৰীসকলে অন্যায় কৰি মোৰ প্ৰতি বৰ বেয়া বচন প্ৰয়োগ কৰিছে; এতেকে তেওঁলোকৰ ওচৰ এৰি দূৰ হৈ যাবলৈ স্থিৰ কৰিছোঁ।" এইকথা শুনি গুৰু-পত্নীয়ে বৰ খেদ কৰি মাধৱদেৱক কলে "বাপু তুমি কিয় যাব লাগিছে; কাউৰীৰ বাক্যত কিয় ম্লান এৰিবা। তুমি গলে তিনিটি বালকেৰে সৈতে মোক কোনে প্ৰতিপাল কৰিব? তথাপি যদি নিলগ হৈ যাব খুজিছা তেন্তে সুন্দৰীত থাকাগৈ।" গুৰুপত্নীৰ কথা শুনি মাধৱদেৱে কলে "আই সুন্দৰীলৈ গলে গুৰুবাক্য পৰে; শঙ্কৰদেৱে পূৰ্ব্বে মোক সুন্দৰীলৈ যাবলৈ মানা কৰিছিল।" গুৰুপত্নীয়ে শুধিলে "তুমি মোক কি বুলি মানা?" মাধৱদেৱে উত্তৰ দিলে "আপোনাক গুৰুপত্নী জগতজননী বুলি মানো।" এই উত্তৰ শুনি গুৰু-পত্নীয়ে হাঁহি মাধৱক কলে "তেন্তে তুমি মোৰ আজ্ঞাত সুন্দৰীলৈ যোৱা। সুন্দৰীৰ সুন্দৰীহঁতে তোমাক মুহিব নোৱাৰে বৰং তোমাক দেখি তোমাৰ প্ৰভাৱত সিহঁত ভকতি আচৰণ কৰি দূৰ হৈ থাকিব। এতেকে তুমি সুন্দৰীত থাকাগৈ।" গুৰুপত্নীৰ এই আদেশ শুনি মাধৱদেৱে গণককুচি এৰি সুন্দৰী-দিয়ালৈ গৈ বৈনায়েক ৰামদাসৰ ঘৰত থাকিলগৈ। সুন্দৰীদিয়াত তেওঁৰ ভনীয়েক উৰ্ব্বশীয়ে তেওঁক অতি যতন কৰি সেৱা শুশ্ৰূষা কৰিবলৈ ধৰিলে। ভাগিনীয়েক ৰামচৰণ ঠাকুৰে তেওঁক চাউল সিজাই দিয়ে আৰু মাধৱদেৱে ভুঞ্জি সুখেৰে তাত নিবাস কৰিবলৈ ধৰিলে।

সুন্দৰীদিয়াৰ সুন্দৰীসকলে মাধৱদেৱ তালৈ অহা শুনি এদিন কাছিপাৰি তেওঁৰ ওচৰত উপস্থিত হ'লহি। মাধৱদেৱে অধোমুখে সুন্দৰীসকলক কলে "তোমালোকে এনে লাস-বেশ কৰি ইয়ালৈ কিয় আহিলা? এনে বেশেৰে স্বামীৰ পাশলৈ হে যাব লাগে। কোন ভিকুতাই এনে বেশেৰে পুত্ৰৰ ওচৰলৈ আহে?" এই কথা শুনি সুন্দৰীসকলে বৰ লাজ পাই, এজনীয়ে আনজনীৰ গাৰ আৰত মুখ লুকাই, লাহে লাহে দুই এক কৰি তাৰপৰা গুচি গ'ল। পিছদিনা তেওঁলোকে বৰবিলত গা ধুবলৈ যাওঁতে মাধৱদেৱৰ ভনীয়েক উৰ্ব্বশীক লগ পাই ক'লে "কালি আমি গুৰু মাধৱদেৱক দৰ্শন কৰিবৰ অভিলাষ কৰি তেওঁৰ কাষলৈ গৈছিলোঁ, কিন্তু তেওঁ আমাক এইদৰে ক'লত আমি লাজ পাই গুচি আহিলোঁহক।" উৰ্ব্বশীয়ে ক'লে "দাদা বৰ অৰসিক। তেওঁৰ ওচৰলৈ তোমালোকে এনে লাস-বেশে কাছিপাৰি নো গৈছিলা কিয়? যদি তেওঁক দৰ্শন কৰিবৰ অভিলাষ কৰিছা, তেন্তে সাত্ত্বিক বেশেৰে ভক্তি কৰি মালা গাথি লৈ শুদ্ধমনেৰে তেওঁৰ ওচৰলৈ যাবাহঁক; সেইদৰে গ'লে দাদাৰ দৰ্শন পাবা। মইও আজি দাদাক এই কথা কম; তোমালোক কাইলৈ সেইদৰে যাবা।" ভনীয়েকে মাধৱদেৱক সুন্দৰীসকলৰ এই কথা জনালত, মাধৱদেৱে "বাৰু আহক" বুলি আদেশ কৰিলে। পিছদিনা গুৱা পাণ কিছু কটাই মাধৱদেৱে প্ৰস্তুত কৰি থলে। এগজনী সুন্দৰীয়ে এগধাৰি তুলসীৰ মালা গাথি লৈ শুচি-সম্ভ্ৰমন হৈ মাধৱদেৱৰ ওচৰত উপস্থিত হৈ তেওঁক সেৱা কৰিলত, মাধৱদেৱে ঠগি আগবঢ়াই দি সুন্দৰী-সকলৰ মালা তাতে থোৱালে। সুন্দৰীসকলে ভক্তি-ভাৱে কাতৰ্ব্বাদ কৰি মাধৱদেৱত শৰণ মাগিলত, তেওঁ দুধাৰি মালা নিজৰ মূৰত পৰিধান কৰি, বাকী তেওঁলোকক একোধাৰিকৈ দি ভক্তিধৰ্ম্মৰ উপদেশ দিলে। সুন্দৰীসকল কৃতকৃত্য হৈ স্বস্থানলৈ গতি কৰিলে আৰু সেইদিনাৰ পৰা তেওঁলোক হৰিনাম শ্ৰৱণ কীৰ্ত্তন আৰু হৰিত ভকতি কৰি শুদ্ধচিত্ত হ'ল। সুন্দৰীদিয়াত থাকি মাধৱদেৱে ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ

বুজিলন্ত টীকা কৰন্তো শ্ৰীধৰ স্বামী। শ্ৰীভাগৱত বিনে পুৰাণৰ কথাক মানানো আমি॥ অনন্তৰে দেৱ মাধৱে বোলন্ত ৰত্নাকৰ গ্ৰ-থাদ। পুৰাণৰ শ্লোক তুলি কৰিলন্ত শঙ্কৰদেৱে নিৰ্ম্মাণ॥ তুমি বোলা ইতো পুৰাণৰ কথা, আৰে আৰু কি কৰিবা। কহিও নামঘৰ গ্ৰন্থ ৰত্নাকৰ মানিবা কি মানানিবা॥ শুনি দামোদৰ গুৰু বুলিলন্ত চতুৰ্ভুজ ৰূপে বেৰে। আমি ভগৱত আপুনি কহন্ত নানা-বিধৌ আমি ভেবে॥ শুনিয়া মাধৱে সত্য সত্য বুলি আৰ কিছু নবুলিলা। চিৰা খুৱাই তুমি কোঁটা জোৰ দিয়া প্ৰবোধি বিদায় দিলা॥ বোলন্ত তোমাৰ আমাৰ জানিবা পৰিছেদ এৰিবানে। পূৰ্ব্বে এহেঁ এত থানিকো কথাক পুছিলা আমাৰ থানে। আবে চতুৰ্ভুজ ৰূপৰো কথাক মানানো এহেঁ বুলিলে॥" ইত্যাদি।

ধৰিলে আৰু অনেক লোকে তেওঁৰ প্ৰচাৰিত ধৰ্ম্ম গ্ৰহণ কৰিলে।

আগেয়েও যেনেকৈ সদায় ঠাকুৰ আতা মাধৱদেৱৰ ওচৰলৈ আহি আছিল, এতিয়াও সেইদৰেই তেওঁ সুন্দৰীদিয়ালৈ মাধৱদেৱৰ ওচৰলৈ আহি থাকে। এদিন মাধৱদেৱে এটি সপোন দেখি ঠাকুৰ আতাক ক'লে, "সখি, মই গ'ল ৰাতি এটি সপোন দেখিলোঁ— শ্ৰীশঙ্কৰদেৱ যেন সুবৰ্ণৰ জখলা এটিত ওপৰলৈ উঠি গৈছে, আৰু তুমি আৰু মই দুয়ো তেওঁৰ পিছে পিছে গৈছোঁ। তেওঁ যেতিয়া ৰৰ ওখত উঠিলগৈ, উভতি চাই আমাক দেখি কলে, "তোমালোক কিয় আহিলা? চোৰাচোন পৃথিৱীত জীৱৰ কেনে বিলাই! জীৱসকল কেনেকৈ মহা ক্লেশত কষাই ফুৰিছে। তুমি আমি দুয়ো আহিলে জীৱসকলৰ তৰণ কেনেকৈ হ'ব? এতেকে বঢ়াৰ পো, তুমি উভতি যোৱাঁ, জীৱৰ উপায় কৰাঁগৈ।" গুৰুৰ আদেশত তোমাৰে সৈতে মই উভতি আহিলোঁ। এইটো সপোন দেখিলোঁ। এতেকে সখি সপোনটোৰ মানে চচিচ মোক কোৱাঁ- চোন?" নাৰায়ণ ঠাকুৰে কলে "চচিচ কলে কিজানি সখি আপুনি মোৰ ওপৰত খং কৰে?" মাধৱদেৱে কলে "কিয় খং কৰিম, খং কৰা জানো যুৱাই?" এই কথা শুনি নাৰায়ণে অৱনতভাৱে মাধৱদেৱক ক'লে—"আপুনি গুৰুবাক্য এৰিলে। ৰামচৰণে অন্ন ৰান্ধি দিয়ে, আপুনি তাকে ভোজন কৰি ৰহি থাকে। সেইদেখি গুৰুজনে আপোনাক এই স্বপ্নৰে চেতালে।" ঠাকুৰ আতাৰ এই মন্তব্য শুনা মাত্ৰকে মাধৱদেৱৰ খং উঠি তেওঁ ঠাকুৰ আতাক ক'লে "যাৰ ন'ৰা শুৱাৰলৈ চৰাই নটা হৈছে, এনেজনে মোক কয়, মই হেনো গুৰু বাক্য এৰিলোঁ। তেওঁ হে গুৰুবাক্য পালি আছে।" এই কথা শুনি হাতযোৰ কৰি নাৰায়ণ ঠাকুৰে কলে "সখি, মই দেখোন প্ৰথমতে কৈ লৈছিলোঁ যে মোক সপোনটো চচিচবলৈ কৈছে, কিন্তু চচিচলে আপুনি ৰাগ কৰিব। আপুনি ক'লে ৰাগ নকৰোঁ বুলি, এতেকে মোৰ অপৰাধ কত হ'ল? তথাপি কৈছোঁ, যদি অপৰাধ হৈছে তেন্তে দোষ মৰিষণ কৰক।" তেতিয়া মাধৱদেৱে বুজি সন্তুষ্ট হৈ ক'লে—"মই কেনেকৈ শিষ্য গোটাই আনি ধৰ্ম্মৰ প্ৰচাৰ বৃদ্ধি কৰিম, কব নোৱাৰোঁ।" ঠাকুৰ আতাই কলে "সখি, দামোদৰদেৱে কেনেকৈ সকলোৰে দৰ্শনীয় কৰি ভাণ্ডৰকৈ নামঘৰ মণিকূট আদি সজাই ধৰ্ম্মৰ দোকান অলাই চাৰিওকালৰপৰা সকলোকে আকৰ্ষণ কৰি আনিছে, আৰু আপোনাৰ থান-থিতি একো নাই। আপুনি হাটীবাটী নামঘৰ মণিকূট সজাই লৈ ভালকৈ ৰহক, সেৱকসকলেৰে সৈতে ধৰ্ম্মৰ বিচাৰ আলোচনা কৰক, এনে কৰিলে ৰাখিৰ দশো- দিশৰপৰা লোকসকল আপোনাৰ ওচৰলৈ ধৰ্ম্মক ধৰিবলৈ আহিব। মই চাৰিওকালৰপৰা লোকসকলক গোটাই আনি আপোনাৰ ওচৰ পোৱাই দিম আপুনি ৰহি সেই সকলক ধৰ্ম্ম দি ধৰ্ম্ম প্ৰচাৰ কৰিব।" নাৰায়ণ ঠাকুৰৰ এই কথা শুনি মাধৱদেৱে সন্তোষ পাই, সেয়ে হওক বুলি কৈ, মাধৱ মৰলক মাতি আনি ভালকৈ নামঘৰ মণিকূট হাটীবাটী আদি কৰিবলৈ আদেশ কৰিলে। মৰলে গুৰুৰ আদেশ শিৰত লৈ, সেৱক-সকলক জান দি, মনোৰমকৈ সেইবোৰ প্ৰস্তুত কৰি গুৰুক জনালত, মাধৱদেৱে শুভ ক্ষণ শুভ তিথিত তাত প্ৰৱেশ কৰিলে। ভাগৱত শাস্ত্ৰ আনি নাম-ঘৰত তেওঁ স্থাপনা কৰিলে, ভকত সকলে কীৰ্ত্তনঘৰত ৰহি নাম গাবলৈ পাৰী নিৰুপণ কৰিলে আৰু নিজে নাম লগোৱা হ'ল।

ইয়াৰ পিছত এদিন নাৰায়ণ আতা বামনাগ্ৰামত উপস্থিত হলত, গাৱঁৰ সকলো লোকে একত্ৰ হৈ তেওঁক সন্মান কৰি গুৱা পাণ আনি দিলে। ঠাকুৰ আতাই তেওঁলোকক কলে "আমি অভকতৰ দ্ৰব্য গ্ৰহণ কৰিব নোৱাৰোঁ।" এই কথা শুনি লোকসকলে প্ৰশ্ন কৰি মাধৱদেৱৰ প্ৰচাৰিত ধৰ্ম্মৰ কথা শুনি ঠাকুৰ আতাক কলে "আপুনি আমাক এতিয়াই শৰণ দি ভকতীয়া কৰক।" ঠাকুৰ আতাই তেওঁলোকক কলে যে "গুৰুজন মাধৱদেৱে হে শৰণ দিব পাৰে। এতেকে তোমালোক সুন্দৰীদিয়ালৈ যাব লাগিব। শঙ্কৰ মাধৱ দুয়ো ঈশ্বৰৰ অৱতাৰ, গুৰু শিষ্য ভাৱে দুয়ো জীৱৰ কল্যাণৰ নিমিত্তে ধৰ্ম্ম প্ৰকাশ কৰিছে। শঙ্কৰদেৱে তেওঁৰ প্ৰিয় শিষ্য অভেদ আত্মা মাধৱদেৱত ধৰ্ম্মক স্থাপি বৈকুণ্ঠ প্ৰয়াণ কৰিলে। মই মাধৱদেৱৰ সাথোন ভক্ত এজন। এতেকে তোমালোক সুন্দৰীলৈ যোৱাঁ, তাত মই গুৰুজনৰ হতুৱাই তোমালোকক শৰণ দিয়াম।" এই কথাত লোকসকলে আনন্দ প্ৰকাশ কৰিলত, ঠাকুৰ আতাই তেওঁলোকক নীতি সদাচাৰৰ বিষয়ে উপদেশ দিলে। পিছদিনা সেই লোকসকলে সুন্দৰীদিয়ালৈ আহি মাধৱদেৱৰ ওচৰত শৰণ ললে।

হৰিবল্লভ নামে, বাবীৰ ন'ৰা এজনে ঠাকুৰ আতাৰ লগত আহি মাধৱদেৱৰ ওচৰত ধৰ্ম্মক ধৰিলে। এইদৰে ঠাকুৰ আতাই গাৱেঁ গাৱেঁ গৈ লোকসকলক ধৰ্ম্মৰ কথা কৈ লৈ আহি মাধৱদেৱৰ ওচৰত শৰণ লোৱাবলৈ ধৰিলে। তাঁতীকুচিৰপৰা অনেক লোকক এই দৰে আনি ঠাকুৰ আতাই শৰণ লগোৱালে। জনাৰ্দ্দন কায়স্থ নামে এজন মুখীয়াল লোকক নাৰায়ণ আতাই আনি শৰণ লগোৱালে। মাসিকাৰ ৰাম আৰু সাতপুৰীয়া ৰামে ধৰ্ম্মক ধৰি মাধৱদেৱৰ সঙ্গত ৰল। এইদৰে লাহে লাহে ঠাকুৰ আতাৰ চেষ্টাত অনেক লোকে ধৰ্ম্মক ধৰিলেহি আৰু সেৱক অনেক বৃদ্ধি হল।

চিলাৰায়ৰ লোকে কিছু উপদ্ৰৱ কৰে দেখি হৰিগুৰু আৰু ৰামদাস ভূঞাই সুন্দৰীদিয়া এৰি চুসুৰি নামে ঠাইলৈ গৈ তাত ঘৰবাৰী খেতি-বাটী কৰি বল।

সুন্দৰীৰ পূব ভাগত বৰবিল নামেৰে এখন বিল আছে। চৰিত্ৰত আছে, এদিন শ্ৰীৰাম আতাই তাত স্নান কৰিবলৈ গৈ, হাত মুখ ধুইছে, এনেতে দেখিলে তাত ভেঙুৰাভেঙুৰি অনেক দৈত্য চৰি আছে। আতাই দেখি সচকিত হৈ ৰাম ৰাম উচ্চাৰণ কৰিলত দৈত্য-বোৰ নিজম হল। তেওঁ স্নান কাৰ্য্য কৰি আহি গুৰুজনক সেই কথা জনালত, মাধৱদেৱে কলে সিহঁতক তাৰপৰা খেদাব লাগিব। এই বুলি মাধৱদেৱে এই ঘোষা গাবলৈ ধৰিলে—

"হৰি কীৰ্ত্তনৰ ধ্বনি লাগি, পলাই পাপ দশো দিশে ভাগি
হেৰ পাইলে বুলি ভয়ত ভিৰি লৰৰে।
এক ব্ৰহ্মাণ্ডত নাপাই ঠাই, আউৰ ব্ৰহ্মাণ্ডক পলাই যায়,
নামে খেদি নেন্ত ব্ৰহ্মাণ্ডোপৰি বাগৰে॥"

এই ঘোষা গাই তেওঁৰ প্ৰেম উপজিলত, ভকতসকলে মিলি উচ্চস্বৰে তাক গাবলৈ ধৰিলে। তাৰ ধ্বনি শুনি দৈত্যসকলে ভয় খাই কোঢ়াল কৰি গৈ কটকৃতলী-বিলৰ মাজত পৰিলগৈ। তাৰপৰা সিহঁত ক্ৰমে ছাগৰমা-বিল পাই তাত বলগৈ। এটা খোৰা দৈত্যই লৰি যাব নোৱাৰি খোৰাই খোৰাই লাহে লাহে যাওঁতে কৃষকৰ টঙীয়াল এজনে তাক ধৰি বান্ধি থলে। দৈত্যবোৰে খোৰা দৈত্যক যোৱা নেদেখি, শীঘ্ৰে চাৰিটা দৈত্যক পঠিয়াই দিলত, সিহঁতে খেদি আহি টঙীয়ালক মাৰি খোৰা দৈত্যক মোকোলাই লৈ গুচি গ'ল। তেতিয়াৰপৰা বৰবিলখন বিঘিনিশূন্য হৈ নিৰ্ম্মল হল। দৈত্যবোৰে ভঙা জানটো আজিলৈকে আছে, তাক দৈত্যজান বুলি কয়।

' বৰবিষ্ণু আতাৰ ঘৰ বঙ্গদেশৰ বিক্ৰমপুৰত। তেওঁ আসামৰ কথা শুনি আসামদেশ চাবলৈ আহিছিল। বাটতে তেওঁৰ নাও বুৰি থাকি যথাসৰ্ব্বস্ব গ'ল। কোনোমতে নিজে সাৰি তেওঁ কামৰূপদেশৰ দক্ষিণে গৈ হয়াপুৰ, জাখলি, ভলুকাটি, ভোজমালা নামৰ ঠায়েদি আহি অনুক্ৰমে মালচা নামে ঠাই পালেহি। মালচাত চন্দ্ৰাভূঞা নামে এজন আছিল, তেওঁৰ ঘৰতে বৰবিষ্ণু আলহী বলহি। চন্দ্ৰাভূঞাই আলহীজনক শোধ-পোছ কৰি থুৱাই বুৱাই ৰাখিলে। পুৱাই বৰবিষ্ণুৱে উঠি হাতত কোৰ এখন লৈ চন্দ্ৰাভূঞাৰ ঘৰৰ চোতাল পদূলি নৈৰ বাটলৈকে চুকুকি পৰিষ্কাৰ কৰি পেলোৱা দেখি চন্দ্ৰাভূঞাই বৰ সন্তোষ পালে। ভূঞাই তেওঁক আদৰ-সাদৰ কৰি ভাল ঘৰ এটি থাকিবলৈ দি ৰাখিলে, আৰু ভূঞাৰ খেতি-কৃষি কৰা ঠাইত তেওঁ সদায় উপস্থিত হৈ ভূঞাক সহায় কৰিবলৈ ধৰা দেখি ভূঞাই তেওঁৰ ব্যৱহাৰত বৰ আনন্দ পালে। ইয়াৰ পিছত চন্দ্ৰাভূঞাই তেওঁৰ কন্যাটী বৰবিষ্ণু আতালৈ বিয়া দি বৰবিষ্ণুক জোৱাঁই কৰিলে আৰু আতাইও শহুৰেকৰ ঘৰত আনন্দমনেৰে থাকি শহুৰেকৰ সকলো কাৰ্য্যতে পৰম সহায়ক হৈ পৰিল। তেওঁ বেঙেনা, ধান, মাহ, সৰিয়হ ইত্যাদিৰ খেতি কৰি সেই শহ বিকি অনেক টকা উপাৰ্জ্জন কৰিলে। তাৰ পিছত তেওঁ ভাল ঠাই এখন লৈ তাত ভালকৈ ঘৰ বাৰী সাজি তালৈ গ'ল; তেওঁৰ গোপাল, যদুমণি আদি কৰি পুত্ৰসকল জন্ম হল। এবাৰ পানী বাঢ়ি তেওঁৰ পথাৰৰ ধানবোৰ নষ্ট হলত তেওঁৰ খেতি কৰিবলৈ কঠিয়া নাইকিয়া হল দেখি, চিলাৰ ধানৰ কঠিয়া বিচাৰি তেওঁ উত্তৰ পাৰলৈ আহি ঠাকুৰ আতা নাৰায়ণৰ ঘৰ পালেহি। সেই সময়ত ঠাকুৰ আতা ঘৰত নাছিল, তেওঁৰ ভাৰ্য্যাই আলহীক শোধ-পোছ কৰি ভোজনৰ আয়োজন কৰি দিলত বৰবিষ্ণু আতাই সন্তোষ মনেৰে ভোজন কৰিলে। বৰবিষ্ণু আতাই বহি এখন পুথি পঢ়ি আছিল, এনেতে ঠাকুৰ আতাই ঘৰ পাই তেওঁক দেখি সুধিলে, তেওঁ কি পুথি পঢ়িছে বুলি। বৰবিষ্ণুৱে ক'লে "কি পুথি মই ভালকৈ নাজানো।" এই উত্তৰ শুনি ঠাকুৰ আতাই তেওঁক ক'লে "তুমি যি চাউলৰ ভাত খোৱা কি ধানৰ সেই চাউল তাকে নাজানা।" এইকথা, শুনি বৰবিষ্ণুৱে ঠাকুৰ আতাক প্ৰণাম কৰি সুধিলে "ইয়াৰ কি নাম আৰু কোনে এই পুথি কৰিছে মোক কওক।" ঠাকুৰ আতাই ক'লে "এই পুথিৰ নাম ভকতি-প্ৰদীপ, জগৎ-গুৰুৱে এই পুথি ৰচনা কৰিলে। শঙ্কৰমাধৱ দুয়ো একে নাৰায়ণ, তেওঁলোক জীৱৰ তৰণৰ নিমিত্তে গুৰু শিষ্য ভাৱে অৱতাৰ হৈছেহি। শঙ্কৰদেৱে মাধৱদেৱত সম্পূৰ্ণ শকতি থাপি স্বধামলৈ গতি গতি কৰিলে। এতিয়া মাধৱদেৱ সুন্দৰীত ধৰ্ম্ম প্ৰকাশ কৰি আছে।"

এই কথা শুনি বৰবিষ্ণু আতাই তেতিয়াই মনতে থিৰ কৰিলে যে তেওঁ মাধৱদেৱক গুৰু মানি ধৰ্ম্মক ধৰিব। তেওঁ নাৰায়ণ ঠাকুৰক সুধিলে "মই কেনেকৈ মাধৱদেৱক পাম? মোক তেখেতৰ ওচৰলৈ লৈ যাওক।" ঠাকুৰ আতাই তেওঁক সুধিলে, কি নিমিত্তে তেওঁ আহিছিল বুলি। বৰবিষ্ণু আতাই ক'লে মোক চিলাৰ ধানৰ কঠিয়া লৈ যাবলৈ সকলোৱে পাচি পঠিয়াই দিছিল, তাকে নিবলৈ বুলি বিচাৰি আহি আপোনাৰ ঘৰ পালোঁহি। মোৰ লগত আৰু তিনিজন মানহ আহিছে। এই কথা শুনি ঠাকুৰ আতাই তেওঁক কঠিয়া দি ক'লে "বাপ, তুমি এই বিধান লৈ ঘৰলৈ গৈ বোৱাঁগৈ তাৰ পিছত আহিবা। তেতিয়া তোমাক গুৰুজনৰ ওচৰলৈ লৈ গৈ শৰণ দিয়াম।" এই কথা শুনি বৰবিষ্ণু আতাই সেই ৰাতি তাতে

থাকি পিছদিনা পুৱাই উঠি ঘৰৰ ফালে গলগৈ। ঘৰ পাই তেওঁ সকলোকে কঠিয়া বাঁটি তাত মাথোন চাৰি দিন থাকি উভতি আহি ঠাকৰ আতাৰ ঘৰ পাই ঠাকুৰ আতাক সেৱা কৰিলে। ঠাকুৰ আতাই তেওঁক কুশল বাৰ্ত্তা পুছি ব্ৰতে উপবাসে ৰাখি, গুৰু আৱৰণ বস্ত্ৰ, নৈবেদ্য লৈ, তেওঁক লগত লৈ সুন্দৰীলৈ যাত্ৰা কৰি গ'ল। সুন্দৰী থানৰ গছ দূৰৰপৰা দেখি ঠাকুৰ আতাই ৰবিষ্ণুক ক'লে "শুনা, বাপু, সৌৱা গুৰুজনৰ থান, গুৰুজনৰ উদ্দেশ্যে ইয়াতে পৰি এটি দণ্ডৱৎ কৰা।" ইয়াৰ পিছত ঠাকুৰ আতাই তেওঁক লগত লৈ মাধৱদেৱৰ সমীপত উপস্থিত হ'লত মাধৱদেৱে "সখি এইটি কোন" বুলি সুধিলত ঠাকুৰ আতাই ক'লে "এওঁৰ নাম বিষ্ণু; এওঁ দক্ষিণকূলত আপোনাৰ যশ শুনি আপোনাৰ ওচৰত ধৰ্ম্মক ধৰিবলৈ আহিছে।" এই কথা শুনি মাধৱদেৱে কৌতুক কৰি ঠাকুৰ আতাক ক'লে "সখি তুমি কি কাম কৰিলা; অভকতৰ সঙ্গত আহিলা?" ঠাকুৰ আতাই উত্তৰ দিলে "যেতিয়াই থানৰ বৃক্ষ দেখা পোৱা হল তেতিয়াই তেওঁৰ হতুৱাই আপোনাৰ ফালে এটি দণ্ডৱৎ কৰাই আনিছোঁ।" মাধৱদেৱে হাঁহি ক'লে "সখি তুমি আগেয়ে শাহটি লৈ বাহটি আমালৈ আনিছা।" নাৰায়ণ ঠাকুৰে উত্তৰ দিলে "বাপ শাহ বাহ সকলো আপোনাৰ চৰণত সমৰ্পণ কৰা আছে।" এই উত্তৰ শুনি মাধৱদেৱে বৰ ৰং পাই, বিষ্ণু আতাক শৰণ কৰালে। ধৰ্ম্মক ধৰি ৰবিষ্ণু আতা সাত দিন মাধৱদেৱৰ লগত পৰম ভক্তি ভাৱে গুৰু সেৱা ধৰি আছিল। সাত দিনৰ মূৰত মাধৱদেৱে তেওঁক শাস্ত্ৰ এখনি দি ক'লে "বিষ্ণু, তুমি এতিয়া ঘৰলৈ যোৱাঁ। এই শাস্ত্ৰখন আগত থৈ তুমি যাক কায়-বাক্য মনে-সমন্বিতে পাবা তাক শৰণ কৰাবা।" গুৰুজনৰ বাক্যত ৰবিষ্ণু আতা নিজৰ ঘৰলৈ উভতি গ'ল; আৰু প্ৰথমতে তেওঁ তেওঁৰ ভাৰ্য্যা পুত্ৰ সকলক শৰণ লগালে। লাহে লাহে এই বাতৰি পাই দক্ষিণ-কূলৰ লোকসকলে ৰবিষ্ণু আতাৰ পাশলৈ আহি শৰণ লৈ ভকতীয়া হবলৈ ধৰিলে।

পঞ্চবিংশ অধ্যায়

বুঢ়া আতা আৰু ভৱানীপুৰীয়া গোপাল আতা

তাঁতীকুচি গ্ৰামত গোপাল বুঢ়া আতা নামে এজন আছিল। তেওঁ চৈতন্যপন্থী মহাজন এজনৰ ওচৰত ধৰ্ম্ম লৈ চৈতন্যীয়া ভকতসকলেৰে সৈতে হৰিগুণ গাই ফুৰিছিল। এদিন গোপাল বুঢ়া আতাই তেওঁ আশ্ৰয় কৰা মহন্ত সকলোৰে আগত একাকি পদৰ অৰ্থ সুধিলত মহন্তই ক'লে "মই তাৰ অৰ্থ নাজানো, যিজনে সেই পদ কৰিছে তেওঁহে জানে।" এই উত্তৰ শুনি বুঢ়া আতাই ভাবিলে "মিছাতে এওঁৰ সঙ্গত আজি মই অতদিন ৰলোঁ; কেনেকৈ এওঁৰপৰা সংসাৰ তৰিম। এওঁৰ সঙ্গ এৰি মাধৱদেৱৰ সঙ্গলৈ যাওঁ।" ইয়াকে ভাবি তেওঁ তেওঁৰ চৈধ্যজন পালীৰে সৈতে সুন্দৰীদিয়ালৈ আহি মাধৱদেৱৰ ওচৰত উপস্থিত হৈ মাধৱদেৱৰ চৰণত পৰি সেৱা কৰি তেওঁলোক ধৰ্ম্মক ধৰিবলৈ আহিছে বুলি ক'লে। মাধৱদেৱে তেওঁলোক কৰপৰা আহিছে, আগেয়ে তেওঁলোকে কাক আশ্ৰয় কৰি আছিল বুলি সুধিলত বুঢ়া আতাই কলে "বাপ, আমি বামৰমীয়াৰ ধৰ্ম্ম শিকি তেওঁলোকৰ সঙ্গত ফুৰিছিলোঁ, কিন্তু আমাৰ মনত সন্তোষ নাই। আমাৰ গুৰু মহন্তজনক আপুনি ৰচনা কৰা বিতোপন পদ একাকিৰ মানে শুধিলত তেওঁ আমাক ক'লে 'যি সেই পদ ৰচনা কৰিছে তেওঁহে তাৰ অৰ্থ জানে, মই নাজানো।' এনেকৈ তেওঁ কোৱা শুনি আমি তেওঁক এৰি আপোনাৰ ওচৰলৈ আহিলোঁ।" এই বুলি বুঢ়া আতাই পদফাকি মাতিলত মাধৱদেৱে তাৰ অৰ্থ সুন্দৰকৈ প্ৰপঞ্চি কৈ দিলে। বুঢ়া আতাই সেই কথা শুনি পৰম প্ৰেমত নিমগন হৈ মাধৱদেৱৰ ওচৰত শৰণ প্ৰাৰ্থনা কৰিলত, মাধৱদেৱে তেওঁলোকক ক'লে "বাৰু শৰণ দিয়া হব; কিন্তু তোমালোকে তোমালোকৰ সেই গুৰুক পৰিহাৰ কৰিছে বুলি তেওঁৰ নামে মাটিত আঁক এটা দি আঁকটো ভৰিৰ বুঢ়া আঙ্গুলিৰে মছি দিয়া।" এই কথা শুনি বুঢ়া আতাৰ লগৰীয়া চৌধজনে তেনে কৰিলে; কিন্তু বুঢ়া আতাই বিনয় কৰি মাধৱদেৱক জনালে "বাপ, সেইজনকে আশ্ৰয় কৰি আমি আপোনাক পালোঁ, এতেকে আঁকটি ভৰিৰে মছিবলৈ নকৈ যেন হাতেৰে মছিবলৈ আজ্ঞা দিয়ে।" এই কথা শুনি মাধৱদেৱে সন্তোষ পাই বুঢ়া আতাক "আৰু আঁকটো মাৰিব নালাগে" বুলি কৈ শৰণ দিলে; আঁকটো ভৰিৰ আঙুলীৰে মছোতা সঙ্গী পালীকেইজনক শৰণ নিদি পঠিয়াই দিলে। বুঢ়া আতাই মাধৱদেৱৰ ওচৰত ধৰ্ম্মক ধৰি নিজৰ ঘৰলৈ গৈ তেওঁৰ ভাৰ্য্যাকো ধৰ্ম্মক ধৰালে। ইয়াৰ পিছত তেওঁ গুৰুজনক প্ৰাৰ্থনা কৰি ঘোষা-কীৰ্ত্তনৰ পাল লৈ ওঠৰজন পালীৰে সৈতে ঘোষাকীৰ্ত্তন কৰিবলৈ ধৰিলে। বুঢ়া আতাৰ আৰু এটি নাম মথুৰা দাস।

অসম ৰজাৰ গৰগাঁও নামে নগৰত (আজিকালি নাজিৰা বোলে) গোপাল নামে এজন শক্তিমন্ত পুৰুষ আছিল। তেওঁলোকৰ উপৰিপুৰুষজনৰ নাম কন্দ্ৰেশ্বৰ; কুল কায়স্থ। গোপালৰ পিতৃৰ নাম ৰাজেশ্বৰ (১) *অথবা কামেশ্বৰ, মাকৰ নাম ৰত্নাজী। কামেশ্বৰে নাজিৰাৰ খোখোৰা গ্ৰামৰ নাচনীঘাট নামে ঠাইত বাস কৰিছিল। তাতে ১৪৩৬ শকত গোপালৰ জন্ম হয়।

গোপাল আতাৰ মাক বজ্ৰাঙ্গীৰ এখন পাণৰ পোহাৰ আছিল। এদিন অসমৰ ৰজাৰ কোঁৱৰ এজনে (২) হাতীত উঠি আহি তেওঁৰ পোহাৰৰ পাণ সোপাকে তেওঁৰ হাতীক খুৱালে। গোপাল আতাই এই কাৰ্য্য দেখি থাকি ক্ৰোধ কৰি, হাতীটোৰ নেজত ধৰি তাক টানি নি গৰখাৰৈত পেলাই দিলত, ৰজাৰ কোঁৱৰো হাতীৰ পিঠিৰপৰা বাগৰি পৰিল। তেওঁ এনে হোৱা দেখি তেওঁক ৰজাই ধৰি কাটিব বুলি ভয় পাই মাকেৰে সৈতে দুয়ো তেতিয়াই লৰালৰিকৈ নাৱত উঠি পলাই গুচি গ'ল। পিছত ৰজাই তেওঁক ধৰিবলৈ মানুহ পঠিয়াই অনেক বিচৰাইও নাপালে। তেওঁ মাকেৰে সৈতে গৈ বেহাৰৰ ৰজাৰ কামৰূপত থকা নগৰ ৰবনগৰৰ ওচৰত ভৱানীপুৰ নামে গ্ৰামত উঠি বসতি কৰি ৰ'লগৈ। অচিৰতে গোপাল আতাই বেহাৰৰ ৰজা নৰনাৰায়ণৰ দৃষ্টি আকৰ্ষণ কৰি ভৱানীপুৰৰ কুমাৰসকলৰ ওপৰত চৰ্দ্দাৰ হৈ কুমাৰৰ গাৱঁত চৰ্দ্দাৰি কৰিবলৈ ধৰিলে। এই সময়তে তেওঁৰে সৈতে নাৰায়ণ ঠাকুৰ আতাৰ আলাপ পৰিচয় হয়; আৰু ঠাকুৰ আতাৰ বাক্যতে তেওঁ, আমি এই গ্ৰন্থৰ আগ ছোৱাত কৈ অহা, শঙ্কৰদেৱৰ নিমিত্তে, শঙ্কৰদেৱৰ কুমাৰকুচিত থাকোতে তাত পাটুকা (পাটকুৱা) এটি কৰাই দিয়ে, আৰু শঙ্কৰদেৱক সেৱা কৰি আছে। কিন্তু তেতিয়া তেওঁৰ ধৰ্ম্মক ধৰিবৰ ইচ্ছা নহ'ল। নাৰায়ণ ঠাকুৰৰ বিধান মতেই গোপাল আতাই কন্যা এটি বিবাহ কৰিলে। ইয়াৰ পিছত চৈতন্যপন্থী ৰামৰমীয়াৰ ধৰ্ম্ম ধৰিবৰ নিমিত্তে ৰামৰমীয়াসকলৰ লগত তেওঁ ঘূৰি ফুৰিছিল। তেওঁ ৰামৰমীয়াৰ লগত ফুৰোঁতে এদিন দেখিলে শিষ্য এঘৰত ৰামৰমীয়াসকলক যি জলপানৰ দ্ৰব্য দিয়া হৈছিল, কাঠৰ চৰিয়া এটা আনি তাত সেই সকলোবোৰ ভৰাই ৰামৰমীয়াৰ গুৰুৱে ভৰিৰে খচকি সানি তাক সকলো শিষ্যক বাঁটি দিলে, আৰু শিষ্যসকলে ভক্তিৰে সৈতে তাকে খালে। এই কাৰ্য্য দেখি গোপাল আতাই ভাবিলে "এইটো কি বিসদৃশ কাম। এনেজন গুৰু নিশ্চয় শিষ্য কৰিবৰ যোগ্য নহয়। সুন্দৰীৰ মাধৱৰ সুনিৰ্ম্মল ধৰ্ম্ম, সেই ধৰ্ম্মক ধৰি সকলো জীৱ কুশল হৈছে। এওঁকো তেওঁৰ ঠাইলৈ লৈ যাওঁ, মাধৱদেৱে যদি এওঁৰে সৈতে আলাপ কৰে তেন্তে মই এওঁক গুৰু ন'ম; নহলে এওঁৰ সঙ্গ পৰিহাৰ কৰি মাধৱক গুৰু মানি তেওঁৰ প্ৰচাৰিত ধৰ্ম্মকে ধৰি থাকিম।" ইয়াকে মনতে থিৰ কৰি মাধৱক ভৱানীপুৰীয়া গোপাল আতাই তেওঁ গুৰু ন'ব খোজা সেই চৈতন্যীয়া গুৰুজনক লগত লৈ মাধৱদেৱৰ ওচৰলৈ গল। দুৱাৰ ডিলিৱাৰ সেইজনে মাধৱদেৱক মাতি মাধৱদেৱৰ দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰি বাগ কৰি তাৰপৰা উঠি গুছি গ'ল। তেতিয়াই গোপাল আতা সেইজনৰ লগ এৰি তাতে ৰ'ল। গোপাল আতাক দেখি মাধৱদেৱে সুধিলে "তুমি কি। ৰ'লা?" গোপালে ক'লে "মই আপোনাৰ ওচৰত ধৰ্ম্মক ধৰিবৰ নিমিত্তে নিশ্চয় কৰি আহিছো, কৃপা কৰি মোক শৰণ দিয়ক।" এই কথা শুনি মাধৱদেৱে তেওঁক মাধৱ মণ্ডলৰ ঘৰতে থাকিবলৈ আদেশ কৰিলত তেওঁ চাৰিদিন তাতে আছিল। চাৰিদিনৰ মূৰত গোপালক শৰণ দিবৰ নিমিত্তে ঠাকুৰ আতাই মাধৱদেৱৰ ওচৰত প্ৰাৰ্থনা কৰি ক'লত, মাধৱদেৱে মাধৱ মণ্ডলক গোপাল আতাৰ কেনে স্বভাৱ, কেনে লক্ষণ, তেওঁ কেনে লোক, এই কথা সুধিলত, মণ্ডলে ক'লে, "বাপ, কি কম, লোকটি বৰ সদাচাৰী; অতি আগ্ৰহ কৰি ভক্তিধৰ্ম্ম বাঞ্ছা কৰি আছে।" এই কথা শুনি মাধৱদেৱে গোপাল আতাক শৰণ দিলে, আৰু গোপালে ধৰ্ম্মক ধৰি গুৰুজনৰ লগতে থাকি গুৰুসেৱা ভক্তি কৰি থাকিবলৈ ধৰিলে। চাউল সিজোৱা হ'লে, প্ৰথমতে মাধৱদেৱে গোপাল আতাৰ পাতত বাঢ়ি দিয়ে দেখি নাৰায়ণ ঠাকুৰে গোপাল আতাক এদিন মনে মনে ক'লে যে তেওঁ পৃথকে অন্ন ভোজন কৰিবলৈ লওক, কাৰণ তেওঁৰ পাতত আগেয়ে অন্ন বাঢ়ি দি তাৰ পিছতহে গুৰুজনে নিজৰ পাতত অন্ন লয়; তাৰ দ্বাৰাই তেওঁৰ গাত অলপ দোষ পৰে। এই কথা শুনি গোপাল আতাই স্বকীয়াকৈ সুন্দৰকৈ ঘৰ সজাই লৈ ধৰ্ম্ম আচৰণ আৰু গুৰুক সেৱা ভক্তি কৰি থাকিবলৈ ধৰিলে। গোপাল আতাই কোৱা কথাবোৰ গুৰুজনৰ মনেৰে সৈতে মিলি যায় দেখি মাধৱদেৱে তেওঁৰ নাম "কথাৰ-সাগৰ" দিলে।

ইয়াৰ পিছত অচ্যুত গুৰুৱে মাধৱদেৱৰ ওচৰত ধৰ্ম্মক ধৰি গুৰুৰ সঙ্গত থাকিবৰ ইচ্ছা কৰিলত, মাধৱদেৱে গোপাল আতাক ক'লে "গোপাল, তুমি গুৰু-দক্ষিণা দিয়াঁ।" গোপাল আতাই সুধিলে, "বাপ, কওক কি দিম?" গুৰুৱে ক'লে "তোমাৰ সুন্দৰ ঘৰখনি এওঁক এৰি দিয়াঁ।" এই কথা শুনি গোপাল আতাই আনন্দ মনেৰে নিজৰ ঘৰটি অচ্যুত গুৰুক এৰি দিলে আৰু তাৰ পিছত আকৌ এটি সুন্দৰ নতুন ঘৰ প্ৰস্তুত কৰি লৈ থাকিল। ইয়াৰ কিছুদিনৰ পিছত বদুৰণি আতৈয়ে মাধৱদেৱৰ ওচৰত ধৰ্ম্মক ধৰিলত, মাধৱদেৱে গোপাল আতাক

(১)* ভৱানীপুৰীয়া গোপাল আতাৰ চৰিত্ৰত তেওঁৰ পিতৃৰ নাম কালেশ্বৰ বুলি আছে; এতেকে সেইটোকে ঠিক বুলি আমি গ্ৰহণ কৰিলোঁ।

(২) নাৰি ৰজাৰ কোঁৱৰ বলি ওপৰত উল্লেখ কৰা চৰিত্ৰ পথিত আছে।

তেওঁৰ দ্বিতীয়বাৰ সজা বহাখনি বদুমণিক দিবলৈ ক'লত গোপাল আতাই সেইখনো সন্তোষ মনেৰে তেতিয়াই বদুমণিক এৰি দিলে। গোপাল আতাৰ এনে স্বাৰ্থত্যাগ দেখি মাধৱদেৱে মহা তুষ্ট হৈ তেওঁক ক'লে "গোপাল, তুমি এতিয়া নিজৰ গৃহলৈ যোৱা, তাত তোমাৰ পৰিবাৰ আছে। তুমি পৰম নিৰ্ম্মল ভক্তি আচৰণ কৰি থাকিবা; আৰু এইখন শাস্ত্ৰ দিলোঁ, ইয়াক থাপনা কৰি থৈ লোককো ধৰ্ম্মক ধৰাবা।" এই আজ্ঞা শুনি ভৱানীপুৰীয়া গোপাল আতা স্বগৃহলৈ উভতি গ'ল।

হৰিহৰ আতাৰ ঘৰ উজনিৰ নাজিৰাত। তেওঁ ককায়েকৰ নাম ৰবহৰি। তেওঁলোক দৈৱজ্ঞ, জ্যোতিষ শাস্ত্ৰত পৰম পণ্ডিত। ৰবহৰিয়ে জ্যোতিষৰ গণনা কৰি ভূত ভৱিষ্যত কোৱাত বৰ পাৰ্গতালি লভিছিল। এদিন আসামৰ ৰজাই ৰাজসভাত ৰবহৰিক সুধিলে "বাৰু মোৰ মনটো এতিয়া কত আছে কোৱাচোন?" ৰবহৰিয়ে কলে "ঘৰৰ চতিৰ ওপৰত আছে।" ৰজাই আকৌ সুধিলে "এতিয়া কত আছে?" তেওঁ উত্তৰ দিলে "বাণীৰ দক্ষিণ স্তনত।" এই দুইটা উত্তৰ ঠিক হোৱা শুনি ৰজাই আচৰিত মানি ভাবিলে "ই দেখোন সকলোকে জানে। মোৰ ৰাজ্যলৈ কোনো শত্ৰু আহিলে, মই পলাই লুকাই থাকিলেও দেখোন ই মোক ধৰি দিব; ইয়াৰ আগত মই কেতিয়াও লুকাই থাকিব নোৱাৰিম, এতেকে ইয়াক বধ কৰাই ভাল।" ইয়াকে ভাবি তেওঁ ৰবহৰিক কাটিবলৈ হুকুম দিলে। ককায়েকৰ এনে গতি হোৱা দেখি, ভয়ত হৰিহৰ আতা তেতিয়াই বেপাৰীৰ নাৱত উঠি ভটীয়াই পলাই গ'ল। বাটত বাওঁতে তেওঁ মাধৱদেৱৰ গুণ যশৰ কথা শুনি ভাবিলে, "মোৰ এক ৰকমে ভালেই হল; ৰজাৰ ভয়ত পলাই আহি এতিয়া গুৰুদৰ্শন লভিম।" বাওঁতে বাটতে হৰিহৰে বংশীগোপাল, বদুমণি আৰু শ্ৰীহৰি এই তিনিজন সাধুক লগ পালে। তেওঁলোকে হৰিহৰক "কলে আমি মাধৱদেৱৰ পাশত ধৰ্ম্মক ধৰি-বলৈ বাওঁহক।" হৰিহৰে সেই কথা শুনি বোলে "মোৰো সেই কাৰ্য্যই।" ইয়াকে কৈ চাৰিওজন একেলগে বাবলৈ ধৰিলে। বাটত হাজো পাই, সেই তিনিজনে কলে তেওঁলোকে হাজোৰ মাধৱক দৰ্শন কৰি যাব। হৰিহৰ আতাই ক'লে "এই জড় মাধৱত মোৰ সকাম নাই সুন্দৰীৰ চৈতন্য মাধৱত হে মোৰ কাৰ্য্য।" এই বুলি তেওঁ তিনিওটাকো তাতে এৰি সুন্দৰীলৈ গৈ মাধৱদেৱক প্ৰণাম কৰি ধৰ্ম্ম প্ৰাৰ্থনা কৰিলত মাধৱদেৱে তেওঁক শৰণ লগালে। হৰিহৰ আতাই ধৰ্ম্মক ধৰি মাধৱদেৱৰ সঙ্গতে থকাৰ ছমাহৰ পিছত তেওঁৰ সেই তিনিজন সুপ্ৰৱীয়া—বংশীগোপাল, শ্ৰীহৰি আৰু বদুমণি মাধৱ-দেৱৰ ওচৰত উপস্থিত হল গৈ। মাধৱদেৱে তেওঁ-লোকক পৰীক্ষা কৰি লৈ ধৰ্ম্মক ধৰালে, আৰু তেওঁ-লোকে গুৰুৰ সঙ্গত সেৱা ধৰি ৰ'ল।

লক্ষ্মীকান্ত আতৈয়ে স্বপ্নাদেশ পাই মাধৱদেৱৰ ওচৰত ধৰ্ম্মক ধৰিবলৈ উপস্থিত হৈ শৰণ মাগিলে। লক্ষ্মীকান্তৰ ঘৰ ধোপাৰগুৰিত। তেওঁৰ পিতৃৰ নাম পুৰুৰ। পুৰুৰ সাধু চৰিত্ৰৰ লোক আছিল। তেওঁ ব্যৱসায় কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল। লক্ষ্মীকান্ত জন্ম হোৱাৰ এমাহৰ পিছত তেওঁৰ মাতৃৰ পৰকাল হলত তেওঁৰ পিতৃ শোকত চিন্তাকুল হৈ বহি আছে, এনেতে তেওঁ (পিতৃয়ে) দেখিলে, ঘৰৰ চালৰপৰা জেঠীৰ কণী এটা মাটিত পৰি ভাগিলত তাৰপৰা পোৱালি এটা ওলাই অলপ সময় থাকি লাল-বীজ খাই গাটো স্থিৰ কৰি লৈ সি মাখি এটা ধৰি খালে। তাৰ পিছত জেঠীৰ পোৱালিটো গৈ বেৰৰ ওপৰত উঠিল। এই ঘটনা দেখি পুৰুৱে মনতে নিশ্চয় কৰিলে যে "এই মাতৃহীনা এমহীয়া শিশুৰ প্ৰতিপাল কৰিবলৈ নিশ্চয় এজন আছে, নতুবা কোনে এই জেঠীৰ পোৱালিটিক এতিয়াই ইমান প্ৰতিপাল কৰি ৰাখিলে। সেইজনেই সকলোৰে প্ৰতিপালন গৰাকি ৰক্ষাকৰ্ত্তা ঈশ্বৰ। ঈশ্বৰৰ বাহিৰে আনৰ যতন চেষ্টা মিছা।" ইয়াকে ভাবি তেওঁ ধন বস্তু সকলো আনি, শিশুটিৰ চাৰিওফালে থৈ সংসাৰ-সুখত বিৰক্ত হৈ তীৰ্থ কৰিবলৈ তেতিয়াই ওলাই গুচি গ'ল। এনে দেখি লৰাটিৰ পেহাক-পেহীয়েকে লৰাটি লৈ তুলিতালি ডাঙৰ কৰিলে। পেহাক-পেহীয়েকে লক্ষ্মীকান্তক ডাঙৰ দীঘল কৰি লিখা-পঢ়া শিকাই নানা শাস্ত্ৰত পাৰ্গত কৰিলে। এইদৰে লক্ষ্মীকান্ত ওঠৰ বছৰীয়া হ'ল। তেওঁ এই কালতে মাধৱদেৱৰ ওচৰত ধৰ্ম্মক ধৰি আছিল। বহুত তীৰ্থত ফুৰি ফুৰি ওঠৰ বছৰৰ মূৰত পুৰুৱে নিজৰ গাওঁভুঁই চাবলৈ বুলি উভতি আহি অনুক্ৰমে মাধৱদেৱৰ থান সুন্দৰী পাই মাধৱদেৱক দৰ্শন কৰিবৰ মানস কৰি তেওঁৰ ওচৰ পালত মাধৱদেৱে তেওঁক "তুমি কোন" বুলি সুধিলত, তেওঁ "মই তীৰ্থযাত্ৰী" বুলি গুৰুজনৰ আগত ক'লে। মাধৱ-দেৱে তেওঁক লক্ষ্মীকান্তৰ ঘৰত থাকিবলৈ পঠিয়াই দিলে। লক্ষ্মীকান্তই বৰাগী আলহীজনক থাবলৈ দি সমাদৰ কৰি ৰাখি, পিছদিনা তেওঁক "আপুনি কৰ বৰাগী, কৰপৰা আহিছে", বুলি সুধিলত তেওঁ কলে "মোৰ নাম পুৰুৰ, ঘৰ ধোপগুৰিত আছিল। মোৰ ভাৰ্য্যাই এমহীয়া লৰা এটি থৈ প্ৰাণ এৰি গলত মোৰ মনত বৰ বিৰক্তি লাগি সৰ্ব্বস্বে সৈতে শিশুক ঈশ্বৰৰ চৰণত সমৰ্পণ কৰি তীৰ্থ কৰিবলৈ গুচি গ'লোঁ। মোৰ লৰাটিৰ নাম লক্ষ্মী-কান্ত ৰাখিছিলোঁ। মই এই ওঠৰ বছৰ নানা তীৰ্থত

স্মৰণ কৰি মোৰ জন্মভূমি চাবৰ মনেৰে আহি দেখিলোঁ—আগেয়ে মোৰ ঘৰ বাৰী য'ত আছিল, এতিয়া তাত অৰণ্য। লৰাটি আৰু দ্ৰব্যবস্তু ঘৰ-বাৰী কলৈ গল একোৰে উৱাদিহ নাপাই গ্ৰামান্তৰলৈ আহি মাধৱদেৱক দৰ্শন কৰিবলৈ তেওঁৰ ওচৰ পালোঁহি। তেওঁ তোমাৰ ঘৰতে থাকিবলৈ পঠিয়াই দিলে।" এই বৃত্তান্ত শুনি লক্ষ্মীকান্তই কান্দি পুৰুষৰ ভৰিত দীঘল দি পৰি কলে "পিতা, তোমাৰে পুত্ৰ মই লক্ষ্মীকান্ত। পেহা-পেহীৰ প্ৰতিপালত মই ইয়াতে আছোঁ।" এই কথা শুনি পুৰুষ আতৈয়ে আনন্দত আকুল হৈ পুতেকক সাঁকোৱাল মাৰি ধৰি কান্দিবলৈ ধৰিলে। এইদৰে পিতা-পুত্ৰৰ চিনাচিনি হলত, দুয়ো আনন্দমনেৰে ঘৰতে থাকিল। বাপেক অভকতীয়া দেখি পুতেকে তেওঁৰ সৈতে একে ঠাইতে ভোজন কৰিব নোৱাৰি তেওঁক কলে "পিতা, আমি গুৰুজনৰ ধৰ্ম্মক ধৰিছোঁ; তুমি ধৰা নাই; সেই বাবে তোমাৰে সৈতে একত্ৰে দুয়ো ভোজন কৰিবলৈ সঙ্কুচিত হৈছোঁ; এতেকে যাতে একত্ৰে দুয়ো ভোজন কৰিব পাৰোঁহক তাৰ দিহা কৰিব লগা হল।" এই কথা শুনি বাপেকে পুতেকক কলে "মোকো ধৰ্ম্মক ধৰোৱাঁ।" ইয়াৰ পিছত লক্ষ্মীকান্তই তেওঁৰ পিতৃক লৈ গৈ মাধৱ-দেৱৰ ওচৰত উপস্থিত হলত, মাধৱদেৱে "এওঁ কোন" বুলি সুধিলত লক্ষ্মীকান্তই কলে "এওঁ মোৰ পিতৃ।" পুৰুষে তত্তালিকে কলে "লক্ষ্মীকান্ত হে মোৰ পিতা; কাৰণ তেওঁৰ নিমিত্তেহে মোৰ এই নতুন জনম হৈছে।" এই কথা শুনি মাধৱ-দেৱে আনন্দ মনেৰে পুৰুষ আতৈক শৰণ কৰালে। পচ্ছৰে কৃতকৃত্য হৈ গুৰুজনৰ ওচৰত বিদায় মাগিলত মাধৱদেৱে লক্ষ্মীকান্ত আতৈক কলে "আজিৰ পৰা তুমি, যি বাঞ্ছা কৰা, তাক ধৰ্ম্মক ধৰাবা।"

শ্ৰীশঙ্কৰদেৱৰ পূৰ্ব্বৰ আদেশ সুঁৱৰণ কৰি মাধৱ-দেৱে ঘোষা শাস্ত্ৰ এখন ৰচনা কৰিবলৈ মনোগত কৰি, শ্ৰীৰাম আতাক পাত, মহী, কাপ, কাঠি আয়ো-জন কৰিবলৈ আদেশ কৰিলত শ্ৰীৰামে সেইবোৰ প্ৰস্তুত কৰি আনি কৰণি এটিত থৈ গুৰুজনৰ কালে আগবঢাই দিলত, মাধৱদেৱে ঘোষা শাস্ত্ৰখনি ৰচনা কৰিবলৈ ধৰিলে। শ্ৰুতি স্মৃতি ভাগৱত গীতা আদি শাস্ত্ৰৰ সাৰ উদ্ধাৰ কৰি তেওঁ কিছুদিনৰ মূৰত শাস্ত্ৰখনি সমাপ্ত কৰি জীৱৰ ভৱণৰ সাঁকো স্থাপন কৰিলে। যাক ঘুষি লোকে সংসাৰ তৰে, সেই কাৰণে শাস্ত্ৰখনিৰ নাম তেওঁ ঘোষা ৰাখিলে। সুন্দৰী-দিয়াতে এই শাস্ত্ৰ বিৰচিত হয়। অনেক বৰগীত, নাট আৰু আদ্যকাণ্ড ৰামায়ণ মাধৱদেৱে সুন্দৰী-থানতে ৰচনা কৰে।

চাৰিজন ভাই ককাই আছিল, তেওঁলোকৰ নাম হৰি, কৃষ্ণ, বিষ্ণু আৰু হাজাৰা জুৰণি। হৰি আৰু কৃষ্ণ এই দুইজনে বাণিজ্য কৰি ফুৰে, বিষ্ণু ৰজাৰ ঘৰত ৰাজকাৰ্য্যত থাকে, আৰু মদুমণিয়ে গৃহত থাকি গৃহস্থালি কাজ কাম চলায়।

হৰি আৰু কৃষ্ণই যেহা যেপাৰ কৰি ফুৰোঁতে মাধৱদেৱৰ গুণ যশ শুনি তেওঁৰ ওচৰলৈ গৈ ধৰ্ম্মক ধৰিলে। তেওঁলোকে ঘৰলৈ আহি হাজাৰা আতৈৰ সৈতে একেলগে ভোজন নকৰা দেখি হাজাৰাই সকলো বৃত্তান্ত শুনি তেৱোঁ গৈ মাধৱদেৱক প্ৰাৰ্থনা কৰি শৰণ ললেগৈ। ইয়াৰ পিছত ৰজাঘৰৰপৰা বিষ্ণু আহিলত তেওঁৰে সৈতে ভ্ৰাতৃসকলে একেলগে বহি নোখোৱা দেখি তেওঁ আচৰিত মানি ভ্ৰাতৃসকলক তাৰ কাৰণ সুধি জানিব পাৰি তেৱোঁ পিছদিনা মাধৱদেৱৰ ওচৰলৈ গৈ ভক্তিভাৱে শৰণ প্ৰাৰ্থী হ'ল। নাৱেৰে তেওঁ সুন্দৰীলৈ আহোঁতে, খোৱানদীৰ পাৰত ভাত পানী ৰান্ধি খাওঁতে শ্ৰীৰাম আতাও তাতে উপ-স্থিত হলগৈ। বিষ্ণুৱে ভাত খাই উঠি নৈত মুখ ধোৱা দেখি শ্ৰীৰামে তেওঁক অনাচাৰ কৰিছে বুলি কলত, বিষ্ণুৱে শ্ৰীৰামক কৰপৰা আহিলা বুলি সুধি জানিব পাৰি, তেওঁকো মাধৱদেৱৰ ওচৰলৈ লৈ যাবলৈ কলত, শ্ৰীৰামে বিষ্ণুক লগত লৈ গৈ গুৰু-জনৰ ওচৰত উপস্থিত কৰি দিলে। বিষ্ণুৰ প্ৰাৰ্থনা আৰু নাৰায়ণ ঠাকুৰৰ অনুৰোধত মাধৱদেৱে বিষ্ণুক শৰণ লগাই ধৰ্ম্মক দিলে।

বৰবিষ্ণু আতাই মাজে মাজে গুৰুজনৰ খবৰা-খবৰ লবলৈ আহি থাকে। তেওঁৰ পুতেক যদু-মণিয়েও বাপেকৰ লগত এবাৰ আহি গুৰুক সেৱা কৰিলে। বৰবিষ্ণু আতাই পুতেকক মাধৱদেৱৰ পৰিচৰ্য্যা কৰি থাকিবলৈ নিযুক্ত কৰি থৈ গ'ল। প্ৰতি মাহে বৰ বিষ্ণুৱে একোবাৰকৈ মাধৱদেৱৰ ওচৰলৈ আহি গুৰুসেৱা কৰি যায়হি। এদিন তেওঁ আহোঁতে ৰাতিত ৰাতি হলত, গোহালি ভজা নাৱেৰে বুঢ়া এজনৰ ঘৰত বলত, বুঢ়াই তেওঁক আদৰ কৰি ৰাখিলে। জলপান খোৱাৰ পিছতে বৰবিষ্ণু আতাই বুঢ়াক গুৰুজন মাধৱদেৱৰ বাতৰি সুধিলত বুঢ়াই "কিছুদিন গুৰুৰ ওচৰলৈ যোৱা নাই, কব নোৱাৰোঁ" বুলি কলত, আতাই মহা খেদ কৰি, "গুৰুৰ বাতৰি কব নোৱাৰা লোকৰ ঘৰত নাথাকোঁ" বুলি জোৰ এটা লগাই লৈ তেতিয়াই তাৰপৰা গুচি আহিল। ৰাতি অনেক হোৱাৰ পিছত তেওঁ ওলোৱাহি দেখি তেওঁৰ মুখে ঘটনাটোৰ কথা শুনি মাধৱদেৱে সন্তোষ পাই তেওঁক খুৱাই-বুৱাই ৰাখিলে।

এদিন মাধৱদেৱে শ্ৰীৰামক কলে "কথা-সুখত বহিবৰ মোৰ মন হৈছে, বৰবিলৰ পাৰত ঠাই প্ৰস্তুত

কথা।" গুৰুৰ আজ্ঞাত শ্ৰীৰামে স্থান প্ৰস্তুত কৰিলত সেৱকসকলেৰে সৈতে তেওঁ তাত বহি সাত দিন সাত ৰাতি কৃষ্ণ কথা মণৰাশি প্ৰকাশ কৰি আছিল। সকলো সেৱকে অমৃতৰ ধাৰৰ নিচিনা গুৰুৰ মুখৰ বচন শুনি পৰম প্ৰেমত মজি ৰৈছিল।

ষষ্ঠবিংশ অধ্যায়

মাধৱদেৱৰ ভক্তসকল

এদিন ৰামদাস ভূঞাই পুতেক ৰামচৰণক কলে যে "ছ বছৰ হ'ল, তুমি তোমাৰ মোমায়েৰাক দেখা নাই, এতেকে এবাৰ তেওঁৰ ওচৰলৈ যোৱা।" মাকে ৰামচৰণক কলে, "আগেয়ে তোমাৰ ভনীয়েৰাৰ ওচৰলৈ গৈ ভনীয়েৰাৰ সুখ-দুখৰ বুজ-বাজ লৈ তাৰ পিছত মোমায়েৰৰ ওচৰলৈ যাবা।" এই বাক্য শুনি ৰামচৰণে প্ৰথমতে পাটবাউসীলৈ আহি ভনীয়েকৰ বুজ ললে। শঙ্কৰদেৱৰ পত্নীয়ে পুতেক হৰিচৰণক কলে "ভালেমান দিন হল, মাধৱ অহা নাই, এতেকে তুমিও ৰামচৰণেৰে সৈতে সুন্দৰীদিয়ালৈ গৈ তেওঁৰ বুজ-বাজ লোৱাগৈ।" এই কথা শুনি ৰামচৰণেৰে সৈতে হৰিচৰণ ঠাকুৰেও মাধৱদেৱৰ ওচৰলৈ গল। গয়লাৰ মুখ নামে ঠাইত মাধৱদেৱৰে সৈতে তেওঁলোকৰ দেখা হল। ছবছৰ মাধৱদেৱে ভাগিনিয়েক ৰামচৰণক দেখা নাছিল; ইয়াৰ ভিতৰতে ৰামচৰণ ভালেমান ডাঙৰ হৈছিল; সেইদেখি মোমায়েকে ৰামচৰণক চিনিব নোৱাৰি হৰিচৰণ ঠাকুৰক সুধিলে "তোমাৰ লগত এইটি কোন আহিছে? আৰু আই কেনে আছে?" হৰিচৰণে কলে "এইটি তোমাৰ ভাগিন ৰামচৰণ। আই ভালে আছে; তেওঁ মোক তোমাৰ বুজ লবলৈ ৰামচৰণেৰে সৈতেই পঠিয়াই দিলে।" এই কথা শুনি মাধৱদেৱে আনন্দিত হৈ তেওঁলোকক সমাদৰ কৰি ৰাখি গুৰুপত্নীলৈ দ্ৰব্যৰস্তু অনেক দি হৰিচৰণ ঠাকুৰক পঠিয়াই দিলে, আৰু ৰামচৰণক লগতে ৰাখিলে।

এদিন ভৱানীপুৰীয়া গোপাল আতাই মাধৱদেৱৰ ওচৰলৈ আহি তেওঁৰ তাত হৰিকীৰ্ত্তন কৰিবলৈ নিমন্ত্ৰণ কৰি প্ৰাৰ্থনা কৰিলত, মাধৱদেৱে সন্তোষ মনেৰে ভকতসকলেৰে সৈতে ভৱানীপুৰলৈ গৈ হৰিকীৰ্ত্তন মহোৎসৱ সমাপন কৰিলে। গোপাল আতাই যৎপৰোনাস্তি সেৱা ভক্তি কৰি টকা বস্ত্ৰ দি গুৰুজনক শোধ-পোচ কৰি বিদায় দি আগবঢ়াই থবলৈ লগতে নাৱত আহিছিল। ঈশ্বৰৰ ইচ্ছাত বাটত মেঘাড়ম্বৰ হোৱা দেখি ভৱানীপুৰীয়া গোপাল আতাই মেঘক সম্বোধন কৰি কলে "হে মেঘ দেৱতা, তুমি বৰষুণ নিদিবা।" এই কথা শুনি মাধৱদেৱে বিৰক্ত হৈ গোপাল আতাক কলে "গোপাল, তুমি মেঘক এইদৰে কিয় বুলিলা? যাৰ ভয়ত চন্দ্ৰ, সূৰ্য্য, পৱন সঞ্চাৰিত হয়, মেঘৰ কি শক্তি আছে, যে তাৰ আজ্ঞা লঙ্ঘিব পাৰে? মেঘৰ মধ্যত শ্ৰেষ্ঠ দৈৱকী তনয়। আন কোন দেৱতা তেওঁতকৈ ডাঙৰ আছে? এতেকে তোমাৰে সৈতে মোৰ যোৱা উচিত নহয়, তুমি নাৱৰপৰা নামা। তুমি নানামিলে অৰণ্যে মৰেই নাৱৰপৰা নামিব লাগিব।" এই কথা শুনি গোপাল আতাই "গুৰুবাক্য মই নিশ্চয় মানিম" এই বুলি নাও পাৰলৈ চপাবলৈ অপেক্ষা নকৰিয়েই কালজাৰ নদীৰ মাজতে নামি বল। চৰিত্ৰত আছে, নৈৰ পানী অগাধ দ আছিল, কিন্তু গোপাল নমা ঠাইত সেই পানী তেওঁৰ একাঠু মাথোন হল, মাধৱদেৱে এপাক উজাই গৈ শ্ৰীৰাম আতাক পঠিয়াই দি শোধালে, "শ্ৰীৰাম, তুমি গোপালক শোধাগৈ, তেওঁ কেনে আছে?" শ্ৰীৰামে আহি গোপাল আতাক সুধিলে—"গুৰুজনে মোক পঠিয়াই দিলে তোমাক সুধিবলৈ, তুমি কেনে আছা? জীয়াই নে মৰি?" গোপালে নৈৰ মাজৰপৰা উত্তৰ দিলে "সুখে আছোঁ। জীয়াই আছোঁ। মৰিম কিয়?" এই কথা শ্ৰীৰামে মাধৱদেৱক কলত, মাধৱদেৱে নামাতি থাকি আৰু এপাক গৈ আকৌ শ্ৰীৰামক পঠিয়াই দিলে, "শ্ৰীৰাম, যোৱা, আকৌ গোপালক শোধাগৈ তেওঁ কেনে আছে?" শ্ৰীৰামে আকৌ গৈ সেই কথা গোপালক সুধিলত, গোপালে গৰ্ব্ব কৰি কলে "গুৰুৱে এৰিলে বুলি মই মৰি যোৱা নাই। মাধৱদেৱে যঠাৰ পাতেৰেহে নাও বায়, মই যঠাৰ নালে-পাতেৰে বাম বুলি তেওঁক কোৱাগৈ।" এই গৰ্ব্ববাণী শুনি মাধৱদেৱে গোপালৰ অগৰ ধৰি গুচি গল। চৰিত্ৰত আছে, যে গোপাল আতাৰ প্ৰভাৱত ভেতিয়াই নৈত বালি পৰি তেওঁলৈ বাট কৰি দিলত তেওঁ পাৰত উঠিলহি। নৈৰ পাৰত বাস কৰি থকা অসংখ্যাত নদীয়াল আৰু আন লোকে তেওঁক আদৰ কৰি লৈ গৈ সেৱা সৎকাৰ কৰিলে।

ইয়াৰ কিছুমান দিনৰ পিছত গোপাল আতাই মনত বিবৰিম কৰি চাই বুজিলে যে তেওঁ গুৰুজনৰে সৈতে তেনে ব্যৱহাৰ কৰাটো ভাল হোৱা নাছিল; এতেকে তেওঁ গুৰুজনৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি অগৰ ভজাই উচিত। ইয়াকে ভাবি তেওঁ পৰোপকাৰী নাৰায়ণ ঠাকুৰক ধৰিলে, যেন নাৰায়ণ আতাই মাধৱদেৱক প্ৰাৰ্থনা কৰি তেওঁৰ অগৰটো ভজাই দিয়ে। নাৰায়ণ ঠাকুৰে গোপালক কলে, "তুমি অগৰ লগোৱা বাবে দণ্ড দিব লাগিব; সেইদেখি এশ টকা দণ্ড লৈ মোৰে সৈতে গুৰুজনৰ ওচৰলৈ আহা।" এই কথা শুনি গোপাল আতাই,

এশ টকা ধন, এপথাৰ ভাৰ লৈ ঠাকুৰ আতাৰে সৈতে সুন্দৰীদিয়লৈ গল। ঠাকুৰ আতাই গোপালক বাহিৰতে থৈ ভিতৰলৈ গৈ নানা কাতুৰ্ব্বাদ কৰি গোপালক ক্ষমা কৰিবলৈ মাধৱদেৱক প্ৰাৰ্থনা কৰিলত, মাধৱদেৱে সন্তুষ্ট হৈ গোপালক ভিতৰলৈ আনিবলৈ কলত ঠাকুৰ আতাই তেওঁক ভিতৰলৈ আনিলে। গোপালে দণ্ডৱতে পৰি গুৰুজনক ক্ষমা প্ৰাৰ্থনা কৰি তেওঁ কৰা অপৰাধৰ বাবে অনুতাপ কৰিলত, মাধৱদেৱে তেওঁক ক্ষমা কৰিলে। সেইদিনাৰ পৰা গোপাল আতাই আৰু আগৰদৰে মাধৱদেৱৰ পাশলৈ আহি গুৰুক সেৱা ভক্তি কৰি থাকিবলৈ ধৰিলে। ইয়াৰ পিছত গোপাল আতাই আৰু এবাৰ গুৰুজনক তেওঁৰ ঠাইলৈ নিবৰ মন কৰি নতুনকৈ বাৰী ঘৰ কৰিলে, চাপ মাৰি ভাত সুন্দৰকৈ কল গছ কলে, প্ৰতিজোপা কলত থোকাথোকে কল পকিল, কল ফুলেৰে বাৰীখন সুশোভিত হল। গোপালে মাধৱদেৱক যাবলৈ প্ৰাৰ্থনা কৰিলত, নাৰায়ণ ঠাকুৰৰ বিশেষ অনুৰোধত মাধৱদেৱে সেৱকসকলেৰে সৈতে ভৱানীপুৰলৈ গৈ হৰিকীৰ্ত্তনাদি কৰিলে। গোপালে গুৰুজনক নানা প্ৰকাৰ সেৱা ভক্তি কৰি তুষ্ট কৰি আগ বঢ়াই থলে।

এদিন কণ্ঠভূষণ গুৰুৱে প্ৰাৰ্থনা কৰি মাধৱদেৱক জনালে, তেওঁৰ ঘৰত হৰিকীৰ্ত্তন কৰিবলৈ গুৰুজন সেৱকসকলেৰে সৈতে যাব লাগে। কণ্ঠভূষণৰ প্ৰাৰ্থনাত মাধৱদেৱে, ভক্তসকলেৰে সৈতে তেওঁৰ গৃহলৈ গৈ হৰিকীৰ্ত্তন মহোৎসৱ সম্পন্ন কৰিলে। কণ্ঠভূষণৰ ভাৰ্য্যা ৰামৰায় গুৰুৰ দুহিতা। তেওঁ মাধৱদেৱক নানা ভক্তি সৎকাৰ কৰি ভোজন কৰাই, ভোজনান্তে স্বামীৰে সৈতে অন্ন পাত্ৰবোৰ মূৰত তুলি লৈ, "পাইলোঁ পাইলোঁ ৰে কৃষ্ণপদ-পঙ্কজৰ ধূলি। ব্ৰহ্মা হৰে শিৱে ধৰে তুহু হওঁ ধূলি॥" এই ঘোষা গাই সেইবোৰ নদীৰ জলত বিসৰ্জ্জন কৰি আহি গুৰুজনাৰ চৰণ বন্দনা কৰিলে। ইয়াৰ পিছদিনা মাধৱদেৱ সুন্দৰীলৈ উভতি আহিল।

এদিন শ্ৰীৰামেৰে সৈতে মাধৱদেৱ ঠাকুৰ-আতাৰ ঘৰলৈ গলত ঠাকুৰ আতাই আগবঢ়াই লৈ গৈ বাৰ্ত্তা সুধি তাতে থাকি ভোজন কৰিবলৈ প্ৰাৰ্থনা কৰিলে। সেইদিনা গধূলি গুৰুজনে ভোজন কৰি তাতে থাকিল। পিছদিনা ৰাতিপুৱা তেওঁ আহিবলৈ ধৰোঁতে পুৱাৰ সাজো তাতে মাধৱদেৱে ভোজন কৰি যাবলৈ নাৰায়ণ ঠাকুৰে প্ৰাৰ্থনা কৰাত মাধৱদেৱে স্নানকাৰ্য্য কৰি চাউল সহালে। সেই চাউল এজনী বুঢ়ীয়ে আগদিনা ঠাকুৰ আতাৰ ভাৰ্য্যাক দিছিল। ঠাকুৰ আতাৰ ভাৰ্য্যাই ধৰিকাৰে সেই চাউল বাছি গুৰুজনৰ ভোজনৰ নিমিত্তে দিছিল। কিন্তু চাউল বহোৱাৰ পিছত মাধৱদেৱে দেখিলে, তাত শক শামুক এটা আছে। তেতিয়াই তেওঁ সেই পাক এৰি স্নান কৰিলত, ঠাকুৰ আতাই ভাৰ্য্যাৰ ওপৰত ক্ৰোধ কৰিলে। তেওঁক ক্ৰোধ কৰা দেখি মাধৱদেৱে ক্ৰোধ নকৰিবলৈ কৈ কলে "বুঢ়ী এজনীয়ে ভকতি কৰি পৰমানন্দৰ মাৰক এই চাউল দিছিল; পৰমানন্দৰ মায়ে বুঢ়ীৰ কাতৰ প্ৰাৰ্থনাত দয়াপৰৱশ হৈ এই চাউল মোক ভোজন কৰিবলৈ দিছিল; কিন্তু সেই চাউল ভোজন কৰিব লগীয়া নোহোৱা বাবে এনে হ'ল; এতেকে তুমি তেওঁৰ ওপৰত খং নকৰিবা। এই কথা হয় নে নহয় তুমি পৰমানন্দৰ মাকক সোধা। তুমি খেদ নকৰিবা, আৰু আমি চাউল সিজাই ভোজন কৰিম।" ইয়াৰ পিছত নাৰায়ণ ঠাকুৰে তদন্ত কৰি জানিলে কথা সঁচা। আৰু মাধৱদেৱে নতুনকৈ চাউল সিজাই ভোজন কৰি আনন্দ মনেৰে সখিয়েকৰ সৈতে সুন্দৰীৰ থানলৈ আহিল।

যদুমণি নামে মাধৱদেৱৰ এজন সেৱক ব্ৰাহ্মণ আছিল; তেওঁ প্ৰত্যহ সুন্দৰীথানৰ প্ৰসঙ্গত পাঠ পঢ়ে। কাৰ্য্যৱশতঃ তেওঁ উজান ৰাজ্যলৈ গলত, প্ৰসঙ্গত পাঠ পঢ়িবলৈ পাঠক নাইকিয়া হ'ল। প্ৰসঙ্গত পাঠ পঢ়িবলৈ পাঠক নাই বুলি ভকতসকলে মাধৱদেৱক জনালত শ্ৰীৰাম আতাই "আমি পাঠক আনি দিম" এইবুলি কৈ তেওঁ পাঠক বহা ঠাইত কঠ এখনি পাৰি ৰামচৰণ ঠাকুৰক তাত বহুৱাই দিলে। সেই দিনাৰপৰা ৰামচৰণে প্ৰসঙ্গত পাঠ পঢ়িবলৈ ধৰিলে। এদিন মাধৱদেৱে ৰামচৰণক কলে "বাপু ৰামচৰণ, তোৰ আখৰ ভাল, এতেকে তই বলিছলন পুথিখন মোক নকল কৰি দে।" এই আজ্ঞা শুনি ৰামচৰণে বলিছলন পুথিখন মোবায়েকক লেখি দিলত মোমায়েকে আখৰ দেখি শলাগিবলৈ ধৰিলে। মাধৱদেৱৰ ভাগিন বুলি সকলোৱে ৰামচৰণক আদৰ কৰি টকা শিকা দি সেৱা কৰে। ল'ৰা ৰামচৰণ বৰ উৎসাহপ্ৰিয় আছিল। আবেলি ভকত সকলে হাবিৰপৰা খৰি লুৰি আনোতে বাটত ৰামচৰণে খৰিৰ বোজাত ধৰি তেওঁলোকক টানি লৈ ফুৰায়। এই কথা এদিন মাধৱদেৱে শুনি ৰামচৰণক তেনে কৰিবলৈ নিষেধ কৰিলত, সেই দিনাৰপৰা আৰু ৰামচৰণে তেনে দুষ্টালি কৰিবলৈ এৰিলে। মাধৱদেৱে তেওঁক শৰণ লগাই উপদেশ দি শিকোৱা বুজোৱাৰ দিনৰেপৰা ৰামচৰণে হাস্য উপহাস কৰা স্বভাৱ এৰি ধীৰ স্থিৰ আৰু সুনিৰ্ম্মল চৰিত্ৰৰ হল।

নাৰায়ণ নিৰঞ্জন নামে দুজন সাত্ত্বিক চৰিত্ৰৰ সাধু ভকত আছিল। তেওঁলোকে এদিন আন আন ভকতসকলেৰে সৈতে হাবিত খৰি লুৰিবলৈ গৈ দেখিলে, দীঘল দীঘল তৃণবোৰ বজ্ৰহত হাণিজালি আছে। তেওঁলোক দুজনে ধনাৰ দুখজনকত কৰি

থাকি জগতক ব্ৰহ্মময় দেখি থাকে। বনখোৰ সেই দৰে ৰত্তাহত হালিজালি থকা দেখি তেওঁলোকে ভাবিলে, সেইসকল ঈশ্বৰৰ পৰম ভক্ত, হালি-জালি সেইসকলে ঈশ্বৰৰ নাম গাই আছে। সেই ভাবতে তেওঁলোকে দুয়ো অনুপ্ৰাণিত হৈ তাতে বহি নাম গাবলৈ ধৰিলে। ৰাত্ৰি হ'ল, লগৰ আনবোৰ লোকে তেওঁলোকলৈ সিমান দৃষ্টি নকৰি খৰি লুৰি ঘৰলৈ গল, কিন্তু তেওঁলোক বাহ্যজ্ঞান শূন্য হৈ প্ৰেমানন্দ ৰসত মজি সেই ভাৱেই হাবিত বহি ৰল। মাধৱদেৱে পুৱা তেওঁলোকক নেদেখি তেওঁলোকৰ কথা খৰি লুৰিবলৈ যোৱা ভকতসকলক শুধি তেতিয়াই তেওঁলোকক বিচাৰিবলৈ ভকত পঠিয়াই দিলত, ভকতে গৈ দেখিলে সাধাৰণ নিৰঞ্জন বাহ্যজ্ঞান শূন্য হৈ ব্ৰহ্ম সমাধিত বহি আছে। তেনে দেখি ভকতে সঁহাৰি দিলত তেওঁলোকে বাহ্যজ্ঞান লভি উঠি থানলৈ আহি মাধৱদেৱৰ চৰণত পৰি সেৱা কৰিলে।

ৰামচৰণক মোমায়েকে লগত ৰখা দেখি বাপেক মাক ৰামদাস আৰু উৰ্ব্বশী দুয়ো গুসুৰীৰপৰা উঠি আহি আকৌ সুন্দৰীদিয়াত থাকিলহি।

মাধৱদেৱৰ তাৰৈয়েক ৰাগবী মাজীয়ে উজনিৰপৰা মাধৱদেৱক বিচাৰি আহি মাণ্ডৰী পালেহি। মাধ দেৱৰ কোনো বাৰ্ত্তা নাপাই তেওঁ তাতে ঘৰবাৰী সাজি বাস কৰিলে। মাণ্ডৰীৰ মানুহৰ মুখে মাধ দেৱে এই বাতৰি পাই মাজীক মতাই পঠিয়ালত মাজী আনন্দিত হৈ লৰালৰিকৈ মাধৱদেৱৰ পাশত উপস্থিত হলহি। মাধৱদেৱে ৰাগবৰ খবৰ-বাতৰি তেওঁক শুধিলত তেওঁ কলে, "ৰাগবত নানা উপদ্ৰৱ হোৱা দেখি তাৰপৰা ভটীয়াই তোমাক বিচাৰি আহি, কোনো ভু-বতৰা নাপাই, শেষত মাণ্ডৰীতে বৈ তাতে ঘৰবাৰী সাজি কৃষি কৰি আছোঁ। এতিয়া তোমাৰ বাৰ্ত্তা শুনি লৰালৰিকৈ আহিলোঁ।" মাধৱদেৱে আনন্দিত মনেৰে মাজী থাকিবলৈ ঠাই নিৰুপণ কৰি দিলত, মাজীয়ে মাধৱদেৱৰ ওচৰতে কিছু দিন থাকি প্ৰাৰ্থনা কৰি ধৰ্ম্মক ধৰিলে। ইয়াৰ পিছত ৰাগবী মাজীক মাধৱদেৱে মাণ্ডৰীলৈ পঠিয়াই দিলত, মাণ্ডৰীত তেওঁ কিছু দিন থাকি আকৌ গুৰুজনৰ পাশ পালেহি। গুৰুজনে মাজীক কিয় আহিলা বুলি শুধিলত মাজীয়ে কলে "মাণ্ডৰীৰ কোনোৱে, মই উজনি অসমৰ মানুহ, মোৰ জাতি কুটুম, কুল, গোত্ৰ নাজানে বুলি মোৰে সৈতে খোৱা-লোৱা নকৰে, আৰু মোক ঘিণায়। এতেকে তাত মই এইদৰে অকলশৰীয়া হৈ কেনেকৈ থাকোঁ?" এই কথা শুনি গুৰুজনে তেওঁক কলে "তুমি যোৱাঁ, আমি অলপতে তোমাৰ ঘৰলৈ যাম।" ইয়াৰ পিছত মাধৱদেৱে ভকতসকলেৰে সৈতে ৰাগবী মাজীৰ ঘৰত উপস্থিত হল গৈ। মাজীয়ে তেওঁলোকক ভক্তি কৰি আগ বঢ়াই নৈ যোৱাৰ পিছত গুৰুজনে তেওঁৰ ঘৰত থাকি আনন্দ কৰি ভোজন কৰি, তাৰ পিছ দিনা গাঁৱৰ লোকসকলক মতাই আনি মাজীৰ আগগুৰি সকলো বৃত্তান্ত তেওঁলোকক কৈ মাজীয় ভাৰ্য্যাৰ হতুৱাই অন্ন ব্যঞ্জন ৰন্ধোৱাই সেৱকসকলক ভোজন কৰিবলৈ আদেশ কৰিলত, সেৱকসকলে গুৰুৰ আজ্ঞা পালি সন্তোষ মনেৰে ভোজন কৰিলে। ভোজনৰ আগেয়ে ঠাকুৰ আতাই মাজীৰ ঘৰত জাল আৰু খাপৰ দেখি গুৰুজনক কলে, "সখি, এওঁৰ ঘৰত আমি কেনেকৈ ভোজন কৰিম, এওঁ ব্যাধৰ কাম কৰে।" এই কথা শুনি মাজীয়ে গুৰুজনক জনালে "বাপ, ঘৰৰ চাৰিওকালে অটব্য অৰণ্য; সেইদেখি বাঘৰ ভয়ত গোহালিত জাল এখন দি থৈছোঁ। বাঘ ভালুকৰ ভয়ত, হাতত খাঠি এডাল নহলে পথত চলিব নোৱাৰোঁ, খাঠিডাল দেখি বনৰীয়া জন্তু পলাই যায়, সেই দেখি তাক ৰাখিছোঁ; মই ব্যাধৰ কাম কৰিবলৈ সেইবোৰ ৰখা নাই।" এই কথা শুনি মাধৱদেৱে সন্তোষ পাই, একো দোষ নাই বুলি কৈ সেৱকসকলক নিঃশঙ্কচিত্তে অন্ন ভুঞ্জিবলৈ আজ্ঞা দিলে। ইয়াৰ পিছত মথুৰাদাস আতাক গুৰুজনে ৰাগবী মাজীৰ জ্ঞাতি কৰি ললে। গাঁৱৰ লোক সকলোকে মাধৱদেৱে "ৰাগবীমাজী মোৰ বন্ধুজন, তোমালোকে সন্দেহ নকৰি তেওঁৰে সৈতে খোৱা লোৱা কৰা" বুলি কলত সেই দিনাৰপৰা গাঁৱৰ লোকসকলে ৰাগবী মাজীৰ সৈতে খোৱালোৱা কৰিবলৈ ধৰিলে।

মাধৱদেৱ ৰাগবী মাজীৰ ঘৰত এইদৰে এমাহ আছে; শঙ্কৰদেৱৰ পত্নীয়ে মাধৱদেৱৰ বাৰ্ত্তা লবলৈ হৰিচৰণ ঠাকুৰক পঠিয়াই দিলে। তাতে হৰিচৰণে মাধৱদেৱক লগ ধৰিলত, মাধৱদেৱে তেওঁক আদৰ-সাদৰ কৰি তেওঁৰ হাতত গুৰুপত্নীলৈ দ্ৰব্য বস্ত্ৰ দি পঠিয়াই সুন্দৰীলৈ উভতি আহিল।

এদিন মাধৱদেৱে ভৱানীপুৰীয়া গোপাল আতাৰ নিমন্ত্ৰণত তেওঁৰ আলৈ যাওঁতে বাটত দেখিলে যে হৰিণ এটা কান্দত পৰি চট্‌ফট্ কৰি আছে। তেওঁ হৰিণটোৰ কিমান বেচ হব পাৰে সোধাই জানি তাৰ মূল্য আধলি এটা কান্দৰ ওচৰতে থবাকীলৈ থৈ হৰিণটো মেলাই দিলত হৰিণটো বনলৈ গুচি গ'ল। পিছত কান্দোৱালে হৰিণটো নেদেখি অথচ তাৰ উচিত মূল্য তাত থোৱা পাই আশ্চৰ্য্য হৈ অনুসন্ধান কৰি ঘটনাটো জানি কৃতাৰ্থ হৈ মাধৱদেৱৰ ওচৰলৈ আহি তেওঁক মহৎলোক জানি সেৱা কৰি তেওঁৰ ওচৰত ধৰ্ম্মোপদেশ প্ৰাৰ্থনা কৰি শৰণ লৈ সেই দিনৰপৰা ব্যাধৰ ব্যৱসায় পৰিত্যাগ কৰিলে।

শ্ৰীৰাম আতা বৰ সাধু ভকত দয়ালু পৰোপকাৰী ভক্ত সেৱক। এদিন মাধ মহীয়া ঠাকুৰ আতা মাধৱদেৱৰ পাশলৈ আহোঁতে বনৰ মাজত গুৰুৰ নিমিত্তে

পানীত তেওঁৰ চুবিয়া তিতি অহা শ্ৰীৰামে দেখি তেতিয়াই বাটৰ বনবোৰ কাটি বাটটি পৰিষ্কাৰ কৰিলে।

এদিন বৰ বৰষুণ হৈছিল। শ্ৰীৰাম আতাই বৰবিলত স্নান কৰিবলৈ গৈ দেখিলে, জানৰ পানী ভাগি আহি বৰবিলত পৰিছে, আৰু অসংখ্য কাৰৈ মাছৰ উজান উঠি কাৰৈ মাছবোৰ চাৰিওফালে বগাই ফুৰিছে, আৰু কাউৰী বগলী আদি চৰাইবোৰে মাছবোৰ ধৰি ধৰি খাইছে। এনে হোৱা দেখি শ্ৰীৰামে মনত বৰ কষ্ট পাই মাছবোৰ চুবিয়াৰ কোচত ভৰাই একোচ একোচ আনি বৰবিলত মেলি দিবলৈ ধৰিলে। কিন্তু তেওঁ যিমান মেলে, আকৌ সিমানবাৰ পানীৰপৰা উঠি বাৰত বগাই ফুৰে। বাৰে বাৰে তেওঁ এনে কৰি থাকোঁতে বেলি দুপৰ হল, আৰু ইফালে প্ৰসঙ্গৰ সময়ত উপস্থিত হব নোৱাৰিলে। দুপৰীয়া বৰষুণ এৰিলত মাছেও উজাবলৈ এৰিলে, তেতিয়া শ্ৰীৰামে স্নান কৰি আহি গুৰুজনৰ আগত ওলালত, মাধৱদেৱে তেওঁক পলম হোৱাৰ কাৰণ সুধিলত তেওঁ সেই কথাৰ বিষয়ে কৈ কলে "বাপ, জীৱৰ বিলাই-বিপত্তি দেখি অসহ্য হৈছিল। নিৰ্ব্বোধ মাছবোৰে ঘনে ঘনে বাৰলৈ উঠি আহি পক্ষীসকলৰ আগত পৰি প্ৰাণ হেৰুৱায়।" মাধৱদেৱে হাঁহি তেওঁক কলে "শ্ৰীৰাম, তুমি মিছাতে আজি প্ৰসঙ্গ খতি কৰিলা। উজানৰ মাছক নুজোৱাকৈ কোনে ৰাখিব পাৰে?"

এদিন শ্ৰীৰামে জাৰকালি বৰবিলত গা ধুবলৈ গৈ দেখিলে যে পাৰতে এটি ন'বাৰে সৈতে এজনী তিৰুতা মানুহ উদং গাৰে জাৰত থৰ্ থৰ্ কৰে কঁপিব লাগিছে। তেনে দেখি শ্ৰীৰামে তেতিয়াই নিজৰ গাৰ পাছি কাপোৰখন সেই মানুহজনীক দি স্নান কৰি গুচি আহিল। শ্ৰীৰামৰ সেই কাপোৰখনিয়েই মাথোন জাৰত সম্বল আছিল; তেওঁৰ গাত লবলৈ ঘৰত আৰু একো কাপোৰ নাছিল। শ্ৰীৰামে জাৰত গাত কাপোৰ নোহোৱাকৈ ফুৰা দেখি মাধৱদেৱে তাৰ কাৰণ তেওঁক সুধিলত তেওঁ কলে "বাপ, জীৱৰ দুখ দেখি সহিব নোৱাৰি পাছি কাপোৰখন দিলোঁ।"

শ্ৰীৰাম আতাই ৰাতি টোপনিতো অনৰ্গল ৰাম নাম উচ্চাৰণ কৰি থাকে দেখি ওচৰৰ বহাৰ ভকতে জানে তেওঁ ৰাতি সাৰে থাকিছে সেই দৰে নাম লয়। এদিন এই কথা মাধৱদেৱক ভকতসকলে কলত, তেওঁ কলে যে "নহয়, শ্ৰীৰামে টোপনিতে নাম লয়।" সেৱকসকলক তাৰ প্ৰমাণ দেখুৱাবলৈ এদিন শ্ৰীৰাম খাই-বৈ শোৱাৰ পিছত, মাধৱদেৱে হৰিবল্লভক লগত লৈ শ্ৰীৰামৰ বহালৈ গৈ দেখিলে যে শ্ৰীৰাম নিদ্ৰাত মগ্ন; অথচ শ্ৰীৰামৰ মুখত ৰাম নাম ওলাই আছে। তেওঁ শ্ৰীৰাম শ্ৰীৰাম বুলি মাতিলে, কিন্তু শ্ৰীৰামৰ চেতনা নাই। তেওঁ শ্ৰীৰামক নজগাই তাৰ পৰা গুচি আহিল। পিছদিনা যেতিয়া শ্ৰীৰাম তেওঁৰ ওচৰলৈ আহিল, তেতিয়া তেওঁ শ্ৰীৰামক কলে, "কালি ৰাতি আমি তোমাৰ বহালৈ গৈছিলোঁ, তুমি টোপনিতো নাম লৈ আছিলাঁ। ভকতসকলৰ কথাত আমি তোমাক পৰীক্ষা কৰিছিলোঁ।" এই বুলি মাধৱদেৱে শ্ৰীৰামক দুখন তামোল দিলে। শ্ৰীৰামে গুৰুজনৰ পাৰত পৰি কলে "বাপ, আপুনি যোৱা কথা অধমে নাজানিলোঁ। এই অধম টোপনিত মগ্ন আছিল দেখি আপুনি অধমৰ বহাত ভৰিৰ ধূলা পেলাওঁতে আপোনাক অধমে সেৱা কৰিবলৈ নেপালে। এতেকে বাপ, দাসৰ দোষ ক্ষমা কৰক।"

শ্ৰীৰাম আতাৰ মহা মহিমা ,—তেওঁ শৌচাচাৰ কৰোতে তেওঁৰ মুখৰ পৰা সৰসৰ কৰে ৰাম নাম ওলাই থাকে। সেই দেখি তেওঁ নিজৰ জিভাখন হাতেৰে ধৰি থাকে। এই কাৰ্য্য দেখা ভকতে গুৰুজনক সেইকথা কলত, গুৰুজনে শ্ৰীৰামক সুধিলে, হয়নে নহয়? শ্ৰীৰামে অৱনত মস্তকে কলে "বাপ, অশুচি সময়ত মুখৰ নাম নিবাৰণ কৰিবৰ নিমিত্তে দাসে তেনে কৰা হয়।" মাধৱদেৱে কলে, "শ্ৰীৰাম, তুমি তেনে কৰিব নালাগে , তেতিয়া মুখত নাম আহিলেও কোনো দোষৰ কথা নহয়। সকলো সময়তে যাৰ মুখত ৰাম নাম আছে তাৰ পৰম ভাগ্য, সি মুক্ত পুৰুষ; এতেকে কেতিয়াও ৰাম নাম নিবাৰণ নকৰিবা; সি তোমাৰ মুখত আহি থাকক।" *(১)

চতুৰ্ভুজ আতৈয়ে মাধৱদেৱৰ ওচৰত ধৰ্ম্মক ধৰি নিতৌ গুৰুৰ ওচৰলৈ সেৱা কৰিবলৈ যায় দেখি তেওঁৰ গাৱঁৰে বালকদাস নামে এজনে, চতুৰ্ভুজ দিনৌ কলৈ যায় বুলি তেওঁক সুধিলে। চতুৰ্ভুজে সকলো কথা ভাঙি কলত, বালকদাসেও চতুৰ্ভুজেৰে সৈতে আহি মাধৱদেৱত শৰণ ললেহি। চৰিত্ৰত আছে, এদিন তেওঁলোক দুয়ো গুৰুৰ ওচৰলৈ

---

*(১) এদিন মাধৱদেৱে শ্ৰীৰাম আতাক "তুমি ভাত খাই উঠি ইয়াৰে মুখ ধুবা", বুলি এটা লোটা দিলে। শ্ৰীৰামে লোটাটো লৈ গৈ বহাত সোমাই কান্দি আছিল। মাধৱদেৱে শ্ৰীৰামে কি কৰিছে চাবলৈ ভকত এজনক পঠিয়াই দিলত, ভকতজনে বাৰৰ ফলঙাইদি চাই শ্ৰীৰামে কান্দি থকা দেখি গুৰুজনক ক'লত, গুৰুজনে শ্ৰীৰামক মতাই আনি কাৰণ সুধিলত শ্ৰীৰামে ক'লে "বাপ, আগেয়ে নিশ্চিন্ত হৈ গুৰুসেৱা কৰিব পাৰিছিলোঁ, এতিয়া আপুনি দিয়া লোটাটো মেৰেৰোৱাকৈ ৰাখিবই লাগিব, এই চিন্তা অন্তৰে পালে; এতেকে আপোনাৰ সেৱাত বিঘিনি ঘটিব।" এই কথা শুনি মাধৱদেৱে হাঁহি ক'লে, "শ্ৰীৰাম, তুমি লোটাটো কাহঁৰাক দি নিশ্চিন্ত হোৱাঁ।" তেতিয়াই শ্ৰীৰামে লোটাটো ভকত এজনক দি আনন্দিত হৈ গুৰুজনক সেৱা কৰিলেহি।

আহোঁতে কৰীয়াত একৰীয়া দৈ গাখীৰ লৈ আহিছিল। বাটত কৰবাৰ পৰা ল'ৰা এটি ওলাই কৰীয়াৰ পৰা যোকা মাৰি এযোকা দৈ খাই গুচি গ'ল। তেওঁলোকে এনে হোৱা দেখি, সেই দৈ গুৰুলৈ উচ্ছিষ্ট হোৱা ভাবি খেদ কৰি গুৰুজনৰ বাটচৰাতে দৈৰ কৰীয়াটো থৈ গুৰুৰ পাৱত পৰি সেৱা কৰিলত, মাধৱদেৱে তেওঁলোকক সুধিলে "দৈ আনি কত থৈ আহিলা ?" এই কথা শুনি তেওঁলোকে আচৰিত মানি, ঘটনাটোৰ কথা কলত, মাধৱদেৱে হাঁহি সেই কঁৰীয়াটো অনাই পৰম সমাদৰেৰে গ্ৰহণ কৰিলে।

গোমোৰাৰ গোবিন্দ নামে সেৱক এজনে "মই মাধৱৰ শিষ্য" বুলি বখানি গৰ্ব্ব কৰি ফুৰে। এদিন তেওঁ কিছুমান দ্ৰব্য নাৱত ভৰাই লৈ আহি গুৰুৰ আগত থৈ গুৰুক সেৱা কৰিলে, কিন্তু মাধৱদেৱে তেওঁৰ ফাললৈ উভতিকে নাচালে। তেনে হোৱা দেখি ঠাকুৰ আতাই প্ৰাৰ্থনা কৰি কাৰণ সুধিলত, মাধৱদেৱে কলে "সখি, ই মোৰ শিষ্য বুলি গৰ্ব্ব কৰি ফুৰে। গৰ্ব্বীজন মোৰ কেতিয়াও শিষ্য নহয়।" এই বাক্য শুনি গোবিন্দে নিজৰ অপৰাধ স্বীকাৰ কৰি অনেক কাকুতি কৰিলত হে মাধৱদেৱে তেওঁক ক্ষমা কৰি কলে "গোবিন্দ, তুমি আৰু গৰ্ব্ব নকৰিবা। আজিৰপৰা শুদ্ধসত্ত্বভাৱে গৰ্ব্বশূন্য হৈ সাৱধানে ঈশ্বৰৰ নাম শ্ৰৱনকীৰ্ত্তন কৰি থাকিবা।"

দক্ষিণৰ পহিয়া আতৈ নামে এজনে অনেক তীৰ্থ ভ্ৰমণ কৰি ফুৰি শেহত বদৰিকাশ্ৰমলৈ গৈ তাৰপৰা কুৰুক্ষেত্ৰ পালতহি তাতে তেওঁ স্বপ্ন দেখিলে যে তেওঁৰ দেশৰ ঘৰৰ ওচৰতে তেওঁ ঈশ্বৰক লাভ কৰিব পাৰিব, এতেকে তেওঁ উভতি ঘৰলৈ যাওক। এই দেখি পহিয়াই ঘৰ পাই কিছুদিন থাকি ভাবি আছিল, ক'ত ধৰ্ম্মক পাম। এদিন তেওঁ মাধৱদেৱৰ গুণশীল শুনি, সেই স্বপ্নৰ কথা স্মৰণ কৰি, কানি-কন্থা আৰু হাতত খন্তা লৈ সুন্দৰীলৈ আহি মাধৱদেৱৰ ওচৰত উপস্থিত হলত, মাধৱদেৱে তেওঁক কৰ বৰাগী বুলি, বাজলৈ যাবলৈ পাচিলে। বাহিৰৰ বাট-ঘৰতে পহিয়া আতৈ চাৰি দিন আছে, এনেতে পৰোপকাৰী কৃপাল নাৰায়ণ ঠাকুৰে তেওঁক দেখি সকলো বৃত্তান্ত সুধি লৈ, মাধৱদেৱৰ ওচৰত প্ৰাৰ্থনা কৰি পহিয়াক শৰণ দিবলৈ কলত, মাধৱদেৱে নাৰায়ণ ঠাকুৰক কলে "বাৰু তোমাৰ কাষত পহিয়াক ধৰ্ম্মক দিম, কিন্তু তেওঁ মোৰ ওচৰলৈ অহাৰ আগেয়ে সেই বৰাগীৰ বেশ, আৰু দাড়ি গোফবোৰ খুৰাই ব্ৰতে উপবাসে থাকি শুচি-সন্নমন হওক।" পহিয়াই তেনে কৰিলত, মাধৱদেৱে তেওঁক শৰণ দিলে। ইয়াৰ কিছুদিনৰ পিছত মাধৱদেৱে শাস্ত্ৰ এখনি দি পহিয়া আতৈক নিজৰ ঠাইলৈ পঠিয়াই কলে "তুমি তোমাৰ ভাৰ্য্যা-পুত্ৰক আৰু আন লোক যি প্ৰজাৰে বৈছে তোমাৰ ওচৰলৈ ধৰ্ম্মপ্ৰাৰ্থী হৈ আহিব সেই সকলক ধৰ্ম্মক দিবা।"

অনৃত কৰ আৰু মাধৱ কৰ নামে দুজন ভায়েক ককায়েক দৈৱজ্ঞ দলৈয়ে মাধৱদেৱৰ ওচৰত ধৰ্ম্মক ধৰি পৰম ভক্তি কৰি থাকে। এদিন অনৃত কৰে তেওঁৰ গৃহত হৰিকীৰ্ত্তন পাতি মাধৱদেৱক প্ৰাৰ্থনা কৰি নিমন্ত্ৰণ কৰি মহাভক্তিভাৱে হৰিকীৰ্ত্তন কৰাই, সুবৰ্ণ বস্ত্ৰ আদি দ্ৰব্য বস্তু দি বিদায় কৰিলে। ইয়াৰ পিছত অনৃত কৰৰ ককায়েক মাধৱ কৰেও সেইদৰেই এদিন হৰিকীৰ্ত্তন পাতি মাধৱদেৱক প্ৰাৰ্থনা কৰি নিমন্ত্ৰণ কৰি লৈ গৈ, কীৰ্ত্তনৰ অন্তত সোণ কাপোৰ আদি দ্ৰব্য বস্তু দি সেৱা কৰি কলে "বাপ আজিহে মোৰ মনত ৰং হল, কাৰণ আজিহে মই অনৃত কৰৰ মানৰ গুতানি দিলোঁ।" এই কথা শুনি মাধৱদেৱে বিৰক্ত হৈ তেতিয়াই উঠি কলে, "মই কি কৰিলোঁ! এনেজন মানুহৰ ঘৰলৈকে মই আহিছোঁ।" এই বুলি মাধৱ কৰে দিয়া দ্ৰব্য বস্তু সকলোকে তাতে এৰি থৈ তেওঁ গুচি আহিল।

এদিন বাপেক পুতেক ঠাকুৰ আতা আৰু পৰমানন্দৰ ভিতৰত তৰ্ক হ'ল। ঠাকুৰ আতাই কলে "মই মহা ভাগ্যৱন্ত; মই শঙ্কৰদেৱক গুৰু আৰু মাধৱদেৱক সখি পালোঁ। শঙ্কৰদেৱে মোক নাৰায়ণ দাস নাম দিলে।" পুতেকে বাপেকক কলে "তোমাতকৈ মইহে বেছি ভাগ্যৱন্ত।" এই দৰে দুয়োৰো বাদ লাগি দুয়ো বাদ মীমাংসাৰ অৰ্থে মাধৱদেৱৰ পাশ পালেহি। মাধৱদেৱে পৰমানন্দক তেওঁ বাপেকতকৈ নিজক ভাগ্যৱন্ত বোলাৰ কাৰণে সুধিলত, পৰমানন্দই কলে "বাপ, মোৰ পিতাই শঙ্কৰদেৱৰ প্ৰসাদত তেওঁৰ পৰা ধৰ্ম্ম পালে; আপোনাক সখি পালে; নাৰায়ণ দাস নাম পালে; ৰব সদাগৰ নাম ৰজাৰপৰা পালে; পিতা জগতৰ উপকাৰী বুলি বিখ্যাত হল; এনেজন লোকৰ মই ঔৰষজাত পুত্ৰ; সেইদেখি মই তেওঁতকৈ শ্ৰেষ্ঠতৰ। মোৰ পিতা যি জনৰ ঔৰষজাত তেওঁৰ ভাগ্যত এনে ঘটা নাছিল, এতেকে পিতা মোতকৈ কেনেকৈ শ্ৰেষ্ঠ হল মোক কওক ?" এই উত্তৰ শুনি মাধৱদেৱে পৰম আনন্দ পাই "ৰায়" দিলে "পৰমানন্দ, তুমি বাদত জয় হলা।"

এদিন গঞা লোকসকলে গোট খাই আহি মাধৱদেৱক কলে "কৃপালু গুৰু, এই চ'ত মহীয়া বৰষুণ এটোপাও নাই; বৰষুণৰ অভাৱত আমাৰ খেতি-পথাৰ শুকাই গল; এতেকে গোবৰ্দ্ধন নাট কৰি যাত্ৰা কৰিব লাগে।" প্ৰজাৰ প্ৰাৰ্থনা শুনি মাধৱদেৱে গোবৰ্দ্ধন নাটখন ৰচনা কৰি, বহু যত্ন কৰি সকলো সৰঞ্জাম প্ৰস্তুত কৰাই, ধেনু গোপ গোপী আদিৰে সৈতে নানা প্ৰকাৰ আয়োজন কৰি যাত্ৰা আৰম্ভ কৰিলে।

নত্ত গোবৰ্দ্ধন পৰ্ব্বত এটা সজাই তাৰ ওপৰত এজন বিপ্ৰক তুলি দিলে। যাত্ৰা শেষ হোৱা মাত্ৰকতে হুৰ্ হুৰ্ কৰে ৰবযুণ পৰিবলৈ আৰম্ভ কৰিলে, আৰু ভাওনা চাবলৈ অহা মানুহবোৰ চাৰিওকালে পলাই পিয়াপি দিলে। পৰ্ব্বতটোৰ ওপৰত যে সেই ব্ৰাহ্মণজন আছিল সেই কথা সকলোৱে পাহৰিলে। বিপ্ৰজনে তাতে তিতি জলাকলা হৈ চিঞঁৰি আছিল, কিন্তু ৰবযুণৰ শব্দত কোনেও সেই চিঞঁৰ শুনা নাছিল। ৰবযুণ পাতলিলত হঠাৎ সেই বামুণলৈ মাধৱদেৱৰ মনত পৰি পৰ্বতটোত জখলা এটা লগাই বামুণজনক নমাই আনি সেকাই পোটকাই সুস্থ কৰোৱালে।

দামোদৰ নামে এজন বৰ শান্ত চৰিত্ৰৰ বৈষ্ণৱ ভকত আছিল; তেওঁ কৃষ্ণ কথা শ্ৰৱণ কৰিলে প্ৰেমত পুলকিত হৈ তেওঁৰ গাৰ নোমবিলাক থিয় হৈ পৰে, সেইদেখি তেওঁক সকলোৱে ভোবোৰা দামোদৰ বুলি মাতে। প্ৰসঙ্গৰ অন্তত পাঠ পঢ়া তেওঁ শুনি আছিলে মাধৱদেৱে তেওঁক সোধে "দামোদৰ, আজি কি পুথিৰ পাঠ শুনিলা?" দামোদৰে উত্তৰ দিয়ে "একাদশৰ", তেহেলৈ সেই দিনা দশমৰে পাঠ পঢ়া হওক বা ৰামায়ণেৰে পাঠ পঢ়া হওক। দামোদৰে দিনৌ একাদশৰ পাঠ শুনা বুলি কোৱা দেখি ভকতসকলে হাঁহাত মাধৱদেৱে কলে "দামোদৰৰ মন কৃষ্ণ কথাত আলোড়িত হৈ মজি থাকে; সেইদেখি যি পুথিয়েই পঢ়া হওক তাৰ তেওঁ ভু নলৈ, মাত্ৰ কৃষ্ণকথাৰ ৰস হে পান কৰি থাকে, আৰু তাৰেহে ভু পায়।" ভোবোৰা দামোদৰৰ ভোজনৰ নিমিত্তেও একো যত্ন নাই; তেওঁ তেওঁৰ আগদুৱাৰত থকা পুৰৈ গছৰ পাত চাৰিটা আনি পাতত দি তাৰ ৰস চেপি তাৰেই দিনৌ ভাত খায়, আৰু লোকে "দামোদৰ, আজি তুমি কিহেৰে ভাত খালা" বুলি শুধিলে তেওঁ কয় "পঞ্চামৃতেৰে ভোজন কৰা হ'ল।"

কণী বুঢ়া নামে বুঢ়া এটা আছিল, সি মাধৱদেৱৰ নামকে নুশুনে, তেওঁৰ ওচৰলৈকো নাহে, ঈশ্বৰ কৃষ্ণৰ নাম শুনিবলৈকো ভাল নাপায়। চৰিত্ৰত আছে এদিন মাধৱদেৱে ভৱানীপুৰীয়া গোপাল আতাৰ ঠাইৰ পৰা নাৱেৰে উভতি আহোঁতে দূৰত নাও এখন দেখি ভকতসকলক সেই নাৱৰ কাষলৈ তেওঁৰ নাওখন বেগাই নৈ যাবলৈ আদেশ দিলে। মাধৱদেৱৰ নাও ওচৰ চাপিলত দেখা গ'ল, সেই নাৱৰ নাৱৰীয়া কেইটা হঠাৎ নাইকিয়া হ'ল। মাধৱদেৱে ভকতসকলক সেই নাওখনত কি আছে উঠি চা লৈ কলত, ভকতসকলে দেখিলে যে নাৱৰ পিৰিত এডাল এৰাঁ শুতাবে বন্ধা জেঠি এটাই চট্‌ফট্ কৰি আছে। গুৰুজনে জেঠিটো মেলি দি গুচি আহিবলৈ কলত, ভকতসকলে তাকে কৰি নিজৰ নাৱলৈ আহিলত, দেখা গ'ল যে সেই নাওখন চিতাতে নাইকিয়া হ'ল। ইফালে ঠিক সেই সময়তে তাৰ ঘৰত কণী বুঢ়াৰ মৃত্যু হৈছিল। বুঢ়াক তাৰ জ্ঞাতিসকলে বান্ধি চাৰ্টি কান্ধতকৈ আনি চিতাত তুলিলত বুঢ়াই হঠাৎ গা-মূৰি দি উঠি কলে, "মোক নুপুৰিবি, মুন্দৰীৰ মাধৱৰ ওচৰলৈ নে।" জ্ঞাতিসকলে আচৰিত মানি তাক লৈ আহি ঘৰ পোৱালত, সি লৰালৰিকৈ গা ধুই ন কাপোৰ পিন্ধি টকা বস্ত্ৰ লৈ গৈ মাধৱদেৱৰ ওচৰ পাই, তেওঁক সেৱা কৰি সকলো কথা কৈ প্ৰাৰ্থনা কৰি ধৰ্ম্মক ধৰিলে।

এটা বুঢ়া আছিল, সি এদিন মাধৱদেৱৰ ওচৰলৈ গলত মাধৱদেৱে তাক শুধিলে "বুঢ়া তুমি ধৰ্ম্মক নধৰা কিয়?" বুঢ়াই কলে "তুমি যদি কেৰিমেৰি কথাষাৰৰ মানে মই এতিয়া কি ভাঁবিছোঁ কৈ দিব পাৰা তেন্তে মই ধৰ্ম্মক ধৰিম।" এই কথা শুনি মাধৱদেৱে কলে "বুঢ়া তুমি যেতিয়া ৰাতিপুৱা উঠি, শুই থকা গৰুহাল তুলি লৈ হাল বাবলৈ যোৱা, তেতিয়া গৰুহালে খোজকাটি যাওঁতে বাটত কেকুৰিমেকুৰিকৈ মূত্ৰ ত্যাগ কৰি যায়, সেইটোকে তুমি ভাবিছা।" এই উত্তৰ সঁচা হোৱা দেখি বুঢ়াই আচৰিত হৈ তেতিয়াই মাধৱদেৱক সেৱা কৰি প্ৰাৰ্থনা কৰি ধৰ্ম্মক ধৰিলে। সেই দিনাৰপৰা সেই বুঢ়াৰ নাম হল কেৰিমেৰি বুঢ়া।

আৰু এটা বুঢ়াক এদিন মাধৱদেৱে পাই, সি কিয ভকতীয়া নহয় শুধিলত সি মাধৱদেৱক পৰীক্ষা কৰিবলৈ কলে "বাৰু ভুমুকাভুমুকি কথাষাৰৰ মানে মই কি ভাবিছোঁ তুমি যদি কব পাৰা তেন্তে মই এতিয়াই তোমাৰ ওচৰত ধৰ্ম্মক ধৰিম।" এই কথা শুনি মাধৱদেৱে কলে, "তই মাহ-কটালিৰ খাৰ পুৰি পাচিত থৈ দিছিলি, জুইৰে থকা সেই খাৰে তোৰ পাচিটো ঠায়ে ঠায়ে পুৰি ভোমোলা কৰিলে, সেইটো কথাই তোৰ মনত ওলাইছে, আৰু তাকে মোক শুধিছ।" এই উত্তৰ সঁচা হোৱা দেখি বুঢ়াই তেতিয়াই দীঘল হৈ মাধৱদেৱৰ চৰণত পৰি ধৰ্ম্ম প্ৰাৰ্থনা কৰিলত তাক তেওঁ ধৰ্ম্মক দিলে। সেই দিনাৰপৰা সেই বুঢ়াৰ নাম হল ভুমুকাভুমুকি বুঢ়া।

লাঠি ধৰা নামে বুঢ়া এটাইও বৰ নৰীয়া পৰি মৃতকল্প হৈ ভাল হৈ উঠি মাধৱদেৱৰ ওচৰত ধৰ্ম্মক ধৰিলে। এইদৰে গোহালিভজা নামে বুঢ়াকে আদি কৰি বাৰজন বুঢ়াক মাধৱদেৱে ধৰ্ম্মক ধৰাই ভকতীয়া কৰিলে।

গয়া ঠাকুৰীয়া নামে এজন আছিল, তেওঁ শৰণ লোৱাৰ কথাকে কাণত পৰিব নিদিয়ে। মাধৱদেৱে তেওঁক "কিয় ধৰ্ম্মক নধৰা" বুলি শুধিলে তেওঁ "কেতিয়াও নধৰোঁ" বুলি কয়। এদিন মাধৱদেৱে ভকতসকলেৰে বাহি নাম প্ৰসঙ্গ কৰিছে, এনেতে

ঠাকুৰীয়া গাওঁৰ আন আন লোকেৰে সৈতে তাত উপস্থিত হল। মাধৱদেৱে “ৰাম চৰণে শৰণ লৈলোঁ। মানৱীজনম সাফল কৈলোঁ ॥” এই ঘোষা প্ৰসঙ্গত উচ্চাৰণ কৰি গোৱাত ঠাকুৰীয়াইও নগৰৰ লোকসকলৰে সৈতে কাষতে বহি বাৰে বাৰে সেই ঘোষা গাবলৈ ধৰিলে। প্ৰসঙ্গৰ অন্তত মাধৱদেৱে ঠাকুৰীয়াক সুধিলে “ঠাকুৰীয়া, এতিয়াই তুমি কি গালা মনত পৰিছে নে?” এই কথা শুনি ঠাকুৰীয়াই আথেবেথে মাধৱদেৱৰ চৰণত পৰি ধৰ্ম্ম প্ৰাৰ্থনা কৰিলত, গুৰুৱে তেওঁক শৰণ নগালে। ইয়াৰ পিছত ঠাকুৰীয়া বৰ ভকত হল।

এদিন গাৰো এটা আৰু ভোট এটাই আহি মহা ভক্তিভাৱে মাধৱদেৱৰ ওচৰত শৰণ প্ৰাৰ্থনা কৰিলত, মাধৱদেৱে অলপ সংকুচিত ভাৱ দেখুৱালত সিহঁতে মাধৱদেৱৰ ৰচিত এই ঘোষা কাঁকি মাতিলে— “গাৰো ভোট যৱনে হৰিৰ নাম লয়। হেনয় হৰিৰ নাম সজ্জনে নিন্দয় ॥” মাধৱদেৱে মহা তুষ্ট হৈ সিহঁতক শৰণ দিলে। তেওঁ গাৰোজনৰ নাম গোবিন্দ আৰু ভোটজনৰ নাম জয়ানন্দ দিলে। দুয়োজনে ধৰ্ম্মক ধৰি গুৰুজনৰ শুদ্ধ-সত্ব সেৱক হল।

বংশীগোপাল আৰু যদুমণি দুয়ো তিনিবছৰ মাধৱদেৱৰ ওচৰত থাকি গুৰুসেৱা কৰি আছিল। তাৰ পিছত দুয়ো গুৰুৰ আজ্ঞা পাই গঙ্গাস্নান কৰি আহিলত, দুয়োজনক ধৰ্ম্মাচাৰ্য্য পাতি মাধৱদেৱে উজনিত ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ পঠিয়াই দিলে। এওঁলোকক দেউ গোপাল বা বংশীগোপাল আৰু দেউ যদুমণি বোলে।

সপ্তবিংশ অধ্যায়

সুন্দৰী পৰিত্যাগ আৰু বৰপেটা গমন

ইমান দিন মাধৱদেৱ সুন্দৰীদিয়া থানত থকাৰ পিছত এটা ঘটনা ঘটিল যাৰ বাবে তেওঁ মনত বৰ বিষাদ পাই সুন্দৰী এৰিবলৈ সঙ্কল্প কৰিলে।

মাধৱ মৰলত এটা ভায়েক আছিল তাৰ নাম গোপাল। এদিন গোপালে খেতি কৰিবলৈ মাটি চহাই থাকোঁতে মাধৱদেৱৰ দুজন সেৱক সেইপিনে পথাৰৰ মাজেদিয়েই আহিছিল দেখি গোপালে খং কৰি তেওঁলোকক মাৰিবলৈ খেদি গৈ তেওঁলোকৰ ভিতৰত নথাই গুৰুৰ কাষত ডলি-মাৰিডাল নগাই তেওঁক পকাই ঘূৰাই টানি লৈ ফুৰাইছিল। তেওঁলোকে আহি এই অপমান আৰু বেজাৰৰ কথা গুৰুজনক জনালত গুৰুজনে শুনি ইমান বেজাৰ পালে যে তেওঁ সেইদিনা ভোজনকে নকৰিলে। তেওঁ কলে “মই সৰ্ব্বস্ব পেলাই ভকত আনিলোঁ, এতিয়া ভকত এনে দুৰ্গতি মই দেখিব লগীয়া হল। মই ভৱানী-পুৰৰ গোপালৰ ঠাইলৈ গুচি যাম।” এই কথা মাধৱদেৱে কোৱা বুঢ়া আতাই শুনি তাঁতীকুচি অৰ্থাৎ বৰপেটাৰ পৰা আহি গুৰুজনাক তেওঁৰ ঠাইলৈ যাবলৈ কাকুতি মিনতি কৰি প্ৰাৰ্থনা কৰি, গুৰুজনৰ বই-বস্ত্ৰ লোপাকে গোটাই তাৰ এখনি বান্ধি তাক উলিয়াই নিজে লৈ গৈ পলুলিত থৈ আহি গুৰুজনৰ পদত পৰি সেৱা কৰিলে। ঠিক এনে সময়তে মাধৱদেৱক লৈ যাবলৈ গোপাল আতা ভৱানীপুৰৰ পৰা পালেহি। গোপাল আতাই লৈ যাবলৈ আহিছোঁ বুলি গুৰুজনক প্ৰাৰ্থনা কৰি কলত, গুৰুজনে গোপালকে কলে “গোপাল, মই তোমাৰ তালৈ যাব নোৱাৰিম। মথুৰাদাসে মোৰ সৰ্ব্বস্ব তাৰ বান্ধি উলিয়াই লৈ গল, মই তাঁতীকুচিলৈহে যাব লাগিব।” এই বুলি গোপাল আতাক বুজাই কৈ সেৱকসকলেৰে সৈতে মাধৱদেৱ বৰপেটালৈ গুচি গল। বৰপেটালৈ যাত্ৰা কৰি যাওঁতে মাধৱদেৱে সেৱকসকলেৰে সৈতে এই দুটি গীত গাই গৈছিল—

“আলো ভাই, চল আইস যাওঁ বৃন্দাবনে।
দেখোঁ গৈয়া আনন্দ নয়নে ॥
সকল বৃন্দাবন চানি।
জয় জয় ৰাম কৃষ্ণ ধ্বনি ॥
সুৰভি চলয় হাম্বা ৰাৱে।
বিনোদ মিলিছে ঠাৱে ঠাৱে ॥
ৰঙ্গে বায় শিঙ্গা শঙ্খ বেণু।
নাচে হাসে গাৱে চাৰে ধেনু ॥
যি সুখ মিলিছে বৃন্দাবনে।
সি সুখ নাহিকে ত্ৰিভুৱনে ॥
ৰাম কৃষ্ণ নোহন্ত মানুষ।
তাঁৰা দুই পৰম পুৰুষ ॥
ব্ৰজৰ প্ৰজাৰ ভাগ্য বৰ।
কহয় মাধৱ ওহি দঢ় ॥”

দ্বিতীয়টি গীত—

“আলো ভাই, গোকুলে আনন্দ জয় জয়।
মিলিবে পৰম মহোদয় ॥
যিজো সিগমৰ গুপ্ত বিত্ত।
হেন হৰি গোকুলে বিদিত ॥”

এইদৰে মাধৱদেৱে সেৱকসকলেৰে সৈতে গৈ বৰপেটা বিলৰ পাৰ পালত, বুঢ়া আতাই নাৱেৰে তেওঁলোকক পাৰ কৰি নি, ৰাম বুঢ়াই সজা গৃহত স্থান দিলে, গুৰুজনে তাতে সেৱকসকলেৰে সৈতে সুখেৰে ভোজন কৰি থাকিল। পিছদিনা ঠাকুৰ আতাকে আদি কৰি সকলো সেৱক উপস্থিত হলহি।

ৰবপেটাত হাটীঘৰ, নামঘৰ আদি সজাই সত্ৰ পাতি মাধৱদেৱৰ ভকতসকলেৰে সৈতে আছে, এনেতে এদিন তাঁতীসকলে মাধৱদেৱৰ ওচৰলৈ আহি প্ৰাৰ্থনা কৰিলে, যেন এটা ভাৱনা কৰা হয়। মাধৱদেৱে তেওঁলোকৰ মনোবাঞ্ছা পূৰ্ণ কৰিবৰ নিমিত্তে কোটো-ৰাখেলা নামে নাট ৰচনা কৰি ভাৱনা কৰিলে।

মাধৱদেৱৰ ৰবপেটা থানত থাকি ধৰ্ম্ম প্ৰকাশ কৰি থাকোঁতে চাৰিউকালৰ পৰা অনেক লোকে আহি ধৰ্ম্মক ধৰিলে। থানৰ হাটী ছকুৰিজন ভকতেৰে পূৰ্ণ হল। দক্ষিণ-কূলত গোবিন্দ নামে এজন থাকে; তেওঁ তেওঁৰ মাতৃৰে সৈতে আহি গুৰুজনৰ পাশত ধৰ্ম্মক ধৰিলে। গোবিন্দৰ মাকক মাধৱদেৱে বলাই আতৈৰ সৈতে নিতৌ কীৰ্ত্তন ঘৰত পুৰাই প্ৰসঙ্গ কৰিবলৈ আদেশ কৰিলত, তেওঁ মেনাৰ-জীকে আদি কৰি আন আন ভকতনীসকলেৰে সৈতে নিতৌ প্ৰভাত কালতে প্ৰসঙ্গ কৰিবলৈ ধৰিলে। সেই নিয়ম অনুসৰি আজিলৈকে ৰবপেটা সত্ৰত পুৱা ভকতনী-সকলে প্ৰসঙ্গ কৰে।

বুঢ়া আতাৰ ভাৰ্য্যাই দিনৌ মাধৱদেৱৰ ওচৰলৈ আহি তেওঁৰ চৰণত প্ৰণাম কৰিহে ভোজন কৰিবলৈ যায়, প্ৰণাম নকৰাকৈ ভোজন নকৰে। এদিন গৃহকাৰ্য্যত লাগি থকাত তেওঁৰ আহিবলৈ পলম হল; ইফালে গুৰুজনে খাই-বৈ শয়ন কৰিলে। এনেতে তেওঁ আহি গুৰুজনক সেৱা কৰিবলৈ নাপাই, পুতেক বলাইৰ হাতত এটুকুৰা মাটি দি কলে, "তুমি এই মাটিটুকুৰা গুৰুজনৰ পাৱত লগাই লৈ আহাঁগৈ, মই তাকে সেৱা কৰি তেহে ভোজন কৰিবলৈ যাম।" বলায়ে মাটিডোখৰ লৈ গৈ অতি সন্তৰ্পণে গুৰুজনৰ চৰণত লগালত, গুৰুজনে চকু মেলি খপ-কৰে বলাইৰ হাতত ধৰি কলে "বলাই তুমি কিয় চুৰ কৰিব খুজিছিলা?" বলায়ে কলে "মোৰ মাতৃয়ে মোক এনে কৰিবলৈ পঠিয়াই দিলে।" এই কথা শুনি গুৰুজনে বলাইৰ মাকক উপহাস কৰি গীত গাতিলে—"আলো গোয়ালৰ জায়া বোলেৰে গোপাল। আমাৰ গায়ে ধূলা দিলে তোমাৰ ছৱাল॥" বলাইৰ মাকে ঘৰৰ বাহিৰৰ পৰা এই কথা শুনি চমকিত হৈ বাহিৰতে কাতৰভাৱে গুৰুক দৰ্শন কৰি সেৱা কৰিবৰ নিমিত্তে পৰি ৰল। ইয়াৰ পিছতে গুৰুজন বাহিৰলৈ ওলাই আহি ৰহিলত, বলাইৰ মাকে সেৱা কৰি নিজৰ ঘৰলৈ গল।

বুঢ়া আতাই এদিন মাধৱদেৱৰ চৰণত পৰি প্ৰাৰ্থনা কৰিলে, তেওঁক যেন দাসালি কাম দিয়া হয়। গুৰুজনে তেওঁৰ মনোবাঞ্ছা পূৰ্ণ কৰি সেই আদেশ প্ৰদান কৰিলে। সেই দিনপৰা বুঢ়া আতাৰ নাম মথুৰা দাস হল।

এদিন মাধৱদেৱে কৰ্ণপুৰ ব্ৰাহ্মণক আজ্ঞা কৰিলে যেন দুই প্ৰসঙ্গৰ সময়ত যেন তেওঁ কীৰ্ত্তনঘৰত ভাগৱত পাঠ আৰু ব্যাখ্যা কৰি শুনায়। সেই দিনাৰে পৰা সেই নিয়ম চলিল।

সকলো ভকতে ভিক্ষা কৰিবলৈ যায়। শ্ৰীৰাম আতাও যায়। এদিন নাৰায়ণ ঠাকুৰে আহি শ্ৰীৰাম আতাক সত্ৰত নেদেখি, তেওঁ কলৈ বুলি শুধি, ভিক্ষা কৰিবলৈ যোৱা শুনি, তেতিয়াই নিজৰ ঘৰলৈ গৈ ভোজনৰ দ্ৰব্যবস্তু এটা খৰাহিত ভৰাই আনি সাদৰ কৰি শ্ৰীৰাম আতাক দিলেহি। সেই দিনাৰপৰা সকলো সেৱকে দিনৌ শ্ৰীৰামক ভোজনৰ দ্ৰব্য দিবলৈ ধৰিলে, আৰু শ্ৰীৰামে ভিক্ষা কৰিবলৈ যাবৰ প্ৰয়োজন নোহোৱা হল।

মাধৱদেৱে নিজ হাতে ৰবপেটাৰ বাৰীত এটি আমৰ গুটি পচাইছিল; সেই গুটিৰ পৰা আমগছ গজি কালক্ৰমত প্ৰকাণ্ড আমগছ এজুপি হৈছিল। সেই গছজোপা প্ৰায় চাৰি শ বছৰ জীয়াই থাকি শেষত বুঢ়া হৈ মৰিল। সেই গছৰ শুকান একো-ডুখৰি সৰু সৰু টুকুৰা আজিলৈকে ৰবপেটা সত্ৰৰ বিশিষ্ট সাধু ভকতসকলে "সেৱাইত" বস্তু কৰি ৰাখিছে। এই আমৰ বিষয়ে চৰিত্ৰত এটি অলৌকিক ঘটনাৰ বিৱৰণ আছে।—এদিন ককিলৰ গুৰু নামে ভক্ত ব্ৰাহ্মণ এজন ৰবপেটা থানলৈ আহোঁতে বাটতে তেওঁক কোনোবাই মতা যেন শুনি তেওঁ ইফাল-সিফাললৈ চাই কাকো নেদেখি যাবলৈ ধৰিলে। তেওঁ দুখোজমান গৈয়েই আকৌ তেওঁক কোনোবাই মতা শুনি চাই দেখিলে যে এটি বুঢ়া বান্দৰে হাবিৰ মাজৰ গছৰ মূঢ়া এটাৰ ওপৰত বহি হাততে পকা আম এটি লৈ আছে। ব্ৰাহ্মণ আচৰিত মানি থমকি ৰলত, বান্দৰটিয়ে তেওঁক কলে "শুনা ককিলৰ গুৰু, তুমি এই আমটি লৈ যোৱাঁ, শ্ৰীৰাম আতাক দি মোৰ প্ৰণাম জনাবা।" বান্দৰটোৱে আমটি ব্ৰাহ্মণৰ হাতত দি আঁতৰি গুচি গলত, ব্ৰাহ্মণে পৰম বিস্ময় মানি আমটি লৈ আহি সেই কথা কৈ শ্ৰীৰাম আতাক দিলেহি। সেই দিনা ৰাতিপুৱা মাধৱদেৱে শ্ৰীৰাম আতাক কৈছিল "শ্ৰীৰাম, আজি তুমি এটি বস্তু পাবা, আমাক নিদিয়াকৈ অকলৈ নাখাবা।" সেই কথা শ্ৰীৰাম আতাই পাহৰি, প্ৰসঙ্গৰ অন্তত তেওঁৰ বহালৈ গৈ সেই আমটিৰ আদণিনি ভোজন কৰি বাকী আদখিনি কৰণিত থৈ দি, ভাত-পানী বান্ধি খাই অঁতাইছে. এনেতে মাধৱদেৱে তেওঁৰ বহাত উপস্থিত হৈ, কৰণিৰ ওচৰত থকা পানীৰে ভৰা লাওটি বেৰত আউজাই থৈ, সেই আমটিৰ এচকল মুখত দি গুটিটিৰে সৈতে বাকীখিনি কৰণিত আকৌ থৈ দিলে। এই কাৰ্য্য শ্ৰীৰামে হঠাৎ হোৱা দেখি "সৰ্ব্বনাশ হল, মই খাই অৱশেষ

কৰি থোৱা আম মোৰ গুৰুজনে ভোজন কৰিলে। মই তল গলোঁ।" এই বুলি উঠি মাধৱদেৱৰ চৰণত পৰি কান্দিবলৈ ধৰিলে। মাধৱদেৱে তেওঁক তুলি কলে, "শ্ৰীৰাম, তুমি একো সঙ্কোচ নকৰিবা। ভকতৰ অৱশেষ ভুঞ্জিৰ পায়; এবং নুভুঞ্জিলে পাপ হয়।" তেওঁ এই বুলি শ্ৰীৰামক প্ৰবোধ দি গুচি আহিল। ভাটীবেলা সেই আমৰ গুটিটিকে মাধৱদেৱে ভকতসকলেৰে সৈতে বৰ-বাৰীলৈ গৈ নিজ হাতে কই থৈ আহিলগৈ। সেইজোপাই বৰপেটা সত্ৰত থকা ওপৰত কোৱা মিঠা আম। গণককুচিত মাধৱদেৱে স্বহস্তে ৰাঙল ফুল এজুপি কইছিল। একঠা মাটি জুৰি সেই ফুলজুপি আজি-লৈকে আছে।

বৰপেটাতে মাধৱদেৱে জুমুৰা আৰু দধিমথন নাট ৰচনা কৰি সেই দুই ভাৱনা প্ৰথমতে কৰে। শ্ৰীকৃষ্ণৰ আন আন বাল্যলীলা-খেলাৰ অনেক গীতও তাতে তেওঁ ৰচনা কৰে।

কেশৱচৰণ বা ভাটকুচি আতা।—কেশৱচৰণ আতাৰ ঘৰ উত্তৰ পাৰত ভাটকুচি নামে ঠাইত। তেওঁৰ পিতৃৰ নাম টেপাই; কুল কায়স্থ। কেশৱচৰণ সৰুৰে পৰা ধৰ্ম্মপ্ৰৱণ আৰু শুদ্ধ চৰিত্ৰৰ আছিল। গৃহস্থীধৰ্ম্মত তেওঁৰ সৰুৰেপৰা অনাসক্ত ভাব। অনিচ্ছাতে পিতৃ-মাতৃয়ে তেওঁক বিবাহ কৰাই দিলে। কিছুকালৰ মূৰত তেওঁৰ পিতৃ-মাতৃৰ মৃত্যু হলত, তেওঁ সংসাৰ অনিত্য ভাবি অলপো বিচলিত নহল। পিতৃ-মাতৃৰ শ্ৰাদ্ধ-বিধি নিয়মমতে কৰি তেওঁ বিষয় সুখত আৰু বিমুখ হৈ পৰিল। ঈশ্বৰৰ চৰণ সেৱা কাৰ্য্যত তেওঁ তেওঁৰ ভাৰ্য্যাক জঞ্জাল হে বুলি ভাবিবলৈ ধৰিলে। এসময়ত কেশৱচৰণে এখন ধানৰ নাৱত উঠি আহি তেওঁলোকৰ গাৱঁৰ কাষ পালত, গৰখীয়া ল'ৰাৰ মুখৰ পৰা শুনিলে যে তেওঁৰ অবৰ্ত্তমানতে ভাৰ্য্যাৰ মৃত্যু হল। এই কথা শুনি তেওঁ ততালিকে জাপ মাৰি পানীত পৰি গা ধুই অঁতাই শুকান কাপোৰ পিন্ধি ঘৰৰ ফালে গল, আৰু ভাবিলে, ঈশ্বৰে অনুগ্ৰহ কৰি তেওঁৰ জঞ্জাল গুচালে। ইয়াৰ পিচত কিছুদিন থাকি কেশৱচৰণে মাধৱদেৱৰ কথা শুনি তেওঁৰ ওচৰত ধৰ্ম্মক ধৰিবলৈ মনতে নিশ্চয় কৰি কেনেকৈ মাধৱদেৱৰ ওচৰলৈ যাওঁ ভাবি আছিল। চণ্ডীবৰ কটকী নামে এজন ভটীয়াই যাবলৈ ওলোৱা শুনি কেশৱচৰণেও তেওঁৰ লগত যাবলৈ ওলাল। কটকীৰ নাও বৰবিষ্ণু আতাৰ ঘাট পালত কেশৱচৰণে নাও এৰি উঠি গৈ বৰবিষ্ণু আতাৰ ওচৰত উপস্থিত হলগৈ। বৰবিষ্ণু আতাৰ আগত তেওঁৰ নিজৰ অভিপ্ৰায় ব্যক্ত কৰিলত, বৰবিষ্ণু আতাৰ মুখে মাধৱদেৱৰ গুণ যশ আৰু সৰহকৈ শুনি তেওঁ মাধৱদেৱৰ পাশলৈ তেওঁক লৈ যাবলৈ বৰবিষ্ণু আতাক ধৰিলে। বৰবিষ্ণু আতাই কেশৱচৰণক পিছদিনা লগত লৈ মাধৱদেৱৰ ওচৰ পালেগৈ। সেইদিনা মহাপুৰুষ শঙ্কৰদেৱৰ তিথি। কীৰ্ত্তন ঘৰত মাধৱদেৱ বহি আছে, এনেতে কেশৱচৰণ আতাৰে সৈতে বৰবিষ্ণু আতা গৈ তাতে উপস্থিত হল, আৰু কেশৱচৰণে ঠগি এখনি আগবঢ়াই গুৰুজনৰ আগত থৈ প্ৰণাম কৰিলে। মাধৱদেৱে "এওঁ কোন" বুলি বৰবিষ্ণু আতাক শুধিলত বৰবিষ্ণুৱে তেওঁৰ বিষয়ে সকলো বৃত্তান্ত কলত, মাধৱদেৱে তেওঁক থাকিবলৈ বহাঘৰ দিয়াই ৰাখি, পিছত শৰণ লগালে। কেশৱচৰণে ধৰ্ম্মক ধৰি মহা ৰংমনেৰে গুৰুজনক সেৱা-শুশ্ৰূষা কৰি থাকিবলৈ ধৰিলে। কেশৱচৰণ আতাক ভাটকুচি আতাও বোলে।

বৰপেটা সত্ৰৰ কীৰ্ত্তন-ঘৰত প্ৰসঙ্গৰ সময়ত দিনৌ এটি সৰ্পই এচুকত থাকি কীৰ্ত্তন শুনেহি দেখি এদিন মাধৱদেৱে ভকতৰ হতুৱাই তালৈ আধাৰি এটা পকাই দিয়ালে। সাপটোৱে তেতিয়াৰে পৰা সেই আধাৰিটোতে পকাই বহি প্ৰসঙ্গ শুনি থাকি প্ৰসঙ্গৰ অন্ত পৰিলে গুচি যায়। এদিন বালকদাস আৰু চতুৰ্ভুজ এই দুজন ভক্তই প্ৰসঙ্গলৈ থানলৈ আহোঁতে দেখিলে যে তেওঁলোকৰ পিছে পিছে সাপ এটা লৰি আহিছে। তেওঁলোকক সাপটোৱে খুটিবলৈহে সেইদৰে আহিছে বুলি তেওঁলোকে ভাবি চপৰা দলি এটা সাপটোৰ মূৰত মাৰি তাক মাৰি পেলালে। সেইদিনা প্ৰসঙ্গত সাপটি মাধৱদেৱে নেদেখি প্ৰসঙ্গৰ অন্তত ভক্তসকলক শুধিলে "আজি কিয় সৰ্পভক্তটি প্ৰসঙ্গত উপস্থিত নাই?" এই কথা শুনি বালকদাসে গুৰুজনৰ আগত সেই বৃত্তান্ত কৈ, অজ্ঞানকৃত অপৰাধৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলত, মাধৱদেৱে ভকত পঠিয়াই দি, মৰা সাপটো অনাই নিৰ্মালি বস্ত্ৰ দি পোতাই থোৱালে।

বৰক্ষেত্ৰি বিলাতৰ লোকসকলে মাধৱদেৱক তেওঁলোকৰ তালৈ গৈ তেওঁলোকক ধৰ্ম্মোপদেশ দিবলৈ বৰকৈ প্ৰাৰ্থনা কৰিলত, মাধৱদেৱে তালৈ গৈ অনেক লোকক ধৰ্ম্মক ধৰালে। এদিন তাতে বিদ্যাধৰ নামে গণক এজনে মাধৱদেৱৰ ওচৰলৈ আহি প্ৰকাশিত ধৰ্ম্মৰ বিপক্ষে কিছুমান কথা কলত, মাধৱদেৱে খং কৰি সেইজনক কলে "নৰনাৰায়ণ ৰজাৰ সভাত হেজাৰ হেজাৰ বিদগ্ধ পণ্ডিত ব্ৰাহ্মণে শঙ্কৰদেৱৰ ধৰ্ম্মমত খণ্ডন কৰিব নোৱাৰি ৰজাৰ হাতত অপদস্থ হৈ পলাল, এতিয়া অজ্ঞ গণক এজনে সেই মত খণ্ডাবলৈ ওলাইছেহি।" এই বুলি তেওঁ তাৰপৰা উঠি গুচি আহিবলৈ উঠিলত, সকলো প্ৰজাই অনেক কাকুতি মিনতি কৰিলত তেওঁ থাকিল। কিছুদিনৰ মূৰত তেওঁ তাৰপৰা উভতি আহোঁতে বাটত জাবৰি

কোচৰ ঘৰত গধূলি বল। পাঠ কৰিবলৈ কোনো পুথি আছে নে নাই, তেওঁ বিচৰালত মুৰাৰি নামে কোচ এজনে এখন ৰত্নাৱলী পুথি আনি দিলত, ৰামচৰণৰ হতুৱাই মাধৱদেৱে পাঠ কৰাবলৈ ধৰিলে।' কিন্তু পুথিখনত বিস্তৰ অশুদ্ধ থকাৰ নিমিত্তে সেইখন কোনে লেখিছিল বুলি মাধৱদেৱে শোধাত মুৰাৰিয়ে লেখিছিল বুলি কলে। তেওঁ মুৰাৰিৰ ওপৰত বৰ ক্ৰোধ প্ৰকাশ কৰি কলে "ক—কাৰ নাজানি ৰত্নাৱলী লেখ?" এই প্ৰচলিত প্ৰবচনৰ এয়েই উৎপত্তি। সেই বচনৰ আজিকালিৰ গান—"ক বুলিব নাজানে ৰত্নাৱলী পঢ়ে।'

দক্ষিণ-কূলত মানাচা নামে ঠাইত বৰবিষ্ণু আতা থাকে। তেওঁ এদিনা মাধৱদেৱৰ ওচৰলৈ আহি জনালে যে "দক্ষিণৰ সকলো লোকে মোক এে ধৰ্ম্মৰ গৰাকী গুৰু বুলি জানে, আপোনাক নাজানে আৰু আপোনাৰ কথা কলেও তালৈ কাণ নকৰে। এতেকে এবাৰ আমাৰ তালৈ কৃপা কৰি যাব লাগে। এই কথা শুনি মাধৱদেৱে বৰবিষ্ণু আতাক কলে "তুমি আগেয়ে যোৱা গৈ, তাত নৃসিংহযাত্ৰা ভাৱনা কৰিবৰ সকলো উদ্যোগ কৰি মোক খবৰ দিলে মই যাম।" এই আজ্ঞা শুনি বৰবিষ্ণু আতাই গৈ লোকসকলক গুৰুজনৰ আজ্ঞা শুনাই সকলো আযোজন কৰিবলৈ কলতো ৰায়তসকলে একো নকৰে। এই কথা বৰবিষ্ণু আতাই আকৌ আহি মাধৱদেৱক কলত, মাধৱদেৱে নাৰাযণ ঠাকুৰক বৰবিষ্ণু আতাৰ লগত পঠিযাই দিলে। বৰবিষ্ণু আতাৰ হতুৱাই খবৰ দিযাই লোকসকলক ঠাকুৰ আতাই মতাই অনাই সিহঁতৰ আগতে সকলোকে দেখুৱাই বৰবিষ্ণু আতাক গজিবলৈ ধৰিলে "তুমি কেনে মানহ হেঁ? তুমি গুৰুৰ আজ্ঞা অৱহেলা কৰিলা, আজিলৈকে যাত্ৰাৰ কোনো কাৰ্য্য কৰা নাই।" এই দৰে বুধি কৰি ঠাকুৰ আতাই বৰবিষ্ণু আতাক ডাবি দিলত, ৰাযতসকলে তেতিয়া বুজিলে যে বৰবিষ্ণু আতাৰ ওপৰতো এজন ডাঙৰ গুৰু আছে। তেতিয়া সিহঁতে ভয খাই লৰালৰিকৈ ৰভাঘৰ আদি সকলোবোৰ আযোজন কৰিবলৈ ধৰিলে। এই বাতৰি বৰবিষ্ণু আতাই আহি মাধৱদেৱক জনালত, মাধৱদেৱ সেৱক-সকলেৰে সৈতে তালৈ গল। মাধৱদেৱে যাত্ৰাৰ নিমিত্তে চো-মুখা আদি প্ৰস্তুত কৰাই, ভাৱৰীযাসকলক নিজৰ নিজৰ ভাও বিভাগি দি, নৃসিংহৰ ভাও নিজলৈ ৰাখিলে। মহাসমাৰোহেৰে ভাৱনা হল। চাৰিউ-ফালৰ লোক ভাৱনা চাবলৈ ভাগি পৰিলহি। ভাৱনাৰ ৰভাঘৰত এহেজাৰ চাকি, ভোটা মটা লগালে, গায়ন বাযনে বৰধেমালি বজালে, অগ্নিগড় লগাই সূত্ৰধাৰীয়ে নানা সূত্ৰ আৰু শ্লোক মাতি নানা ভাৱ কৰি প্ৰৱেশ কৰিলে; তাৰ পিছত হিৰণ্যকশিপুক নখেৰে বিদাৰি দুই আন্ত্ৰ আনি নৃসিংহই মস্তকত ললত, লোকসকল ভয় খাই উঠি পলাব খোজা দেখি, নাৰাযণ ঠাকুৰে তেওঁলোকক বুজাই আশ্বাস বাক্যৰে স্বস্থ কৰি ৰাখিলে প্ৰহলাদ আহি নৰসিংহক স্তুতি কৰিবলৈ ধৰিলত, নৰসিংহই ভযানক ভাৱ পৰিত্যাগ কৰি বাৎসল্য ভাৱ প্ৰকাশ কৰি ৰহিল। এইদৰে যাত্ৰা শেষ কৰিলত, মাধৱদেৱৰ প্ৰভাৱ তেতিয়া ভালকৈ সকলো লোকে জানি তেওঁক মানি ভক্তিভাৱ প্ৰকাশ কৰিলে। ইযাৰ পিছত সেই ঠাইৰ সকলোবোৰ লোকে মাধৱ-দেৱৰ ওচৰত পৰম ভক্তিভাৱে ধৰ্ম্মক ধৰিলে। তাত কিছুদিন থাকি মাধৱদেৱে কলহী নৈযেদি নাৱেৰে আহি চামৰিযা, আৰু তাৰ পিছত হাৰামদেৱ পাই কিছুদিনৰ পিছত বৰপেটা পালেহি।

এদিন মাধৱদেৱৰ সেৱক মাধৱ মৰলে আহি গুৰুজনক কলে যে 'মই অনেক উপাৰ্জ্জন কৰোঁ, তথাপি মোৰ খাবলৈ নাটনি পৰে।" মাধৱদেৱে মৰলক কলে 'তুমি অনাচাৰ অধৰ্ম্ম আচৰণ কৰা, সেইদেখি তোমাৰ খাবলৈ নাটে। শেষ ৰাতি তোমাৰ ভাৰ্য্যাই ভাত ৰান্ধে, ৰাতিপুৱাই তাকে সকলোৱে খোৱাহঁক, বেলি তিনিপৰীযালৈকে হাল নেমেলি গৰুক কষ্ট দিযা, তোমালোকৰ শুচি-সংযমন নাই; ভকতক তোমালোকে দান নকৰা; আপুনি খেতিৰ ভাত আৰ্জি মাথোন আপুনি খোৱা; এইবোৰ হয নে নহয ভাবি চোৱাঁ? আজিৰপৰা তেনে নকৰিবা, দেখিবা তোমাৰ নাটনি নহয।" ঘৰৰ ভিতৰৰ এইবোৰ সঁচা কথা গুৰুজনে কেনেকৈ জানিলে ইযাকে ভাবি আচৰিত মানি, মাধৱ মৰলে সেই-দিনাৰপৰা মনতে থিৰ কৰিলে যে তেওঁ আৰু তেনেকুৱা আচৰণ নকৰে। গুৰুৰ কথামতে চলি মাধৱ মৰলে দেখিলে যে পিছৰ বছৰত তেওঁৰ ধনধান্য অপৰ্য্যাপ্ত হল।

গোবিন্দ নামে তাঁতী এজনে এদিন গুৰুজনক সেৱা কৰি ওচৰতে ৰহিলত, তেওঁ ভোজন কৰিছেনে নাই, গুৰুজনে তেওঁক শুধিলে। তেওঁ উত্তৰ দিলে "ঘৰত ধান চাউল নাই, কি ভোজন কৰিম? খেতি কৰোঁহে কৰোঁ তথাপি মোৰ খাবলৈ নাটে।" এই উত্তৰ শুনি মাধৱদেৱে তেওঁক কলে "তুমি অধৰম কৰা, সেই দেখি এনে হয়। কাপোৰ ববলৈ তোমাক সূতা দিলে তুমি তাৰে সূতা ৰাখি থোৱা; সেই পাপত তোমাৰ ঘৰত লক্ষ্মী নাথাকে। আজিৰ-পৰা কিঞ্চিৎমানো সূতা নাৰাখিবা, দেখিবা তোমাৰ ঘৰত লক্ষ্মীশ্ৰীয়ে বাহ লব।" গোবিন্দে সেইদিনাৰ-পৰা গুৰুৰ বাক্যমতে চলি দেখিলে যে তেওঁৰ ঘৰত ধনধান্য উপচি পৰিছে।

ঘৰপেটা থানত মাধৱদেৱৰ এটি সুন্দৰ বজিয়াল ঘৰ কৰিবৰ মন হল। গুৰুৰ এই ইচ্ছাৰ কথা জনাই চাৰিউফালৰ সেৱকসকলক জান দিয়া হলত, সকলোৱে বেত, বাঁহ, শাল কাঠ, পাট, কৰা, খুটা, চতি, ফুকাম আদি প্ৰস্তুত কৰিলে; সূতাৰ, চিত্ৰকাৰ সকলক অনা হল; ঠাই পৰিষ্কাৰ কৰি ভেটি বন্ধোৱা হল, হেঙ্গুল, হৰিতাল আদিৰ ৰহণ, সোণ ৰূপৰ ৰহণ আদি প্ৰস্তুত কৰাই চতি মাৰলি ফুকাম আদিত বিচিত্ৰ কৰি লগোৱা হল। ঘৰৰ চতি এটি লগোৱাৰ বিষয়ে এটি অলৌকিক ঘটনাৰ কথা আছে- এটি চতি চাছি-কাটি ঠিক কৰা হলত জুখি দেখা গল যে সি এবেগত চুটি হয়। মাধৱদেৱক এই কথা জনোৱা হলত, তেওঁ নিজেও জুখি চাই দেখিলে যে চতিটো ঠিক আদহাত চুটি। এনে হোৱা দেখি তেওঁ অলপ পৰ ভাবি চটিটো অকলৈ ওপৰলৈ তুলি খুটাৰ কাণৰ কাষলৈ নিনত দেখা গল, যে চতিটো বৰং এহাত বাঢ়িল হে, সেইদেখি তাৰ সেই বাঢ়ুটোখৰ কৰতেৰে কাটি লব লগীয়া হল। যদুমণি নামে এজন বলী ভকত ওচৰতে আছিল, তেওঁক চটিটো কান্ধ পাতি ধৰিবলৈ মাধৱদেৱে কলত, যদুমনিয়ে কান্ধ পাতি ধৰিলে। চটিটো ইমান গধুৰ যে চল্লিশজন লোকেহে তাক লৰাব-চৰাব পাৰে। যদুমনিৰ তেনে বল দেখি মাধৱদেৱে তেওঁৰ নাম ভীমসেন দিলে। সেই ঘৰৰ চালত নিজেই মাধৱদেৱে পঞ্চমুখী গাঠি এটা দিলে, আৰু নাৰায়ণ ঠাকুৰ আতাই চৰাই-নগীয়া গাঠি এটা দিলে। তাৰ পিছত সেৱকসকলে সেইদৰেই সুন্দৰকৈ গাঠি দি চাল বান্ধিবলৈ লাগিল। বাঢ়েয়ে চতিত লতাফুল কাটিলত, মাধৱদেৱে বাঢৈক কলে "তুমি যেনেকৈ লতা কাটিলা, সেইদৰে মই ঘোষা এটি ৰচনা কৰোঁ।" এই বুলি তেওঁ লতা-বন্ধা ঘোষা কৰি গালত শুনি সকলো আনন্দিত হল। এই বজিয়াল ঘৰ প্ৰস্তুত হলত, তাঁতীকুচিৰ সেৱক সকলে মাধৱদেৱৰ আগত চাৰি কুৰি ৰূপ থৈ প্ৰাৰ্থনা কৰিলে যে ৰামযাত্ৰা ভাৱনা এটি কৰিব লাগে। তেওঁ সেৱকসকলৰ মনৰ কামনা পূৰণ কৰি মহা সমাৰোহ কৰি শ্ৰীৰামৰ চৰিত্ৰ সংকলন কৰি সেই ভাৱনা সমাপন কৰিলে।

এদিন মাধৱদেৱ বৰপেটা থানত বহি আছে, এনেতে এজনে তেওঁক সংবাদ দিলে যে ভাস্কৰ গুৰু তেওঁৰে সৈতে সাক্ষাৎ কৰিবলৈ আহিছে যি ভাস্কৰে কঠত বহি অকলৈ এটি ডাঙৰ পকা কঠাল খাইছিল। এই ভাস্কৰ ব্ৰাহ্মণেই শঙ্কৰদেৱৰে সৈতে বাদ কৰি পৰাস্ত হৈ নকৈ ভালকৈ শাস্ত্ৰ পঢ়িবলৈ বিদেশলৈ গৈছিল, আৰু এওঁৰেপৰা ভৱানন্দই (পিছত নাৰায়ণ দাস বা ঠাকুৰ আতা) শঙ্কৰদেৱৰ বাতৰি পাই আহি তেওঁৰ ওচৰত শৰণ লয়। মাধৱদেৱে ভাস্কৰক তেওঁৰ ওচৰলৈ আনিবলৈ কলত, তেওঁ আহি বহি সকলো বৃত্তান্ত কৈ মাধৱদেৱক কলে "মই এতিয়া সুন্দৰকৈ বুজিলোঁ যে শঙ্কৰৰ প্ৰচাৰিত ধৰ্ম্ম অতি শ্ৰেষ্ঠতৰ, এতেকে আপোনা-সকলৰ ভক্তিধৰ্ম্মক সাৰোগত কৰি মানিলোঁ; যাতে ভৱসংসাৰ পাৰ হব পাৰোঁ। মোৰ প্ৰতি আপুনি কৃপা কৰিব লাগে।" এই বুলি তেওঁ বাৰে বাৰে শঙ্কৰৰ ধৰ্ম্ম শ্ৰেষ্ঠ বুলি কৈ নিজৰ গৃহলৈ প্ৰত্যাগমন কৰিলে।

ৰূপাৰৰ লস্কৰ, নৰসিংহ, বলাই, মাইডৰিয়াৰ গোপাল, আৰু কানাই ব্ৰাহ্মণে মাধৱদেৱৰ পাশলৈ আহি ধৰ্ম্মক ধৰি শৰণ ললে। এদিন ৰূপাৰৰ লস্কৰে হাতত চাল তৰোৱাল লৈ মাধৱদেৱৰ ওচৰত উপস্থিত হৈ সেৱা কৰিলত, মাধৱদেৱে তেওঁক সুধিলে "ৰূপাৰৰ, তুমি তৰোৱালত কেইবাৰ ধাৰ দিয়া?" ৰূপাৰৰে কলে "দিনৌ এবাৰকৈ দিওঁ।" গুৰুজনে কলে "লস্কৰ, তোমাৰ তৰোৱালতকৈ আমাৰ খাণ্ডা চোকা আৰু গুৰুতৰ; এই খাণ্ডাই ভৱ-সংসাৰক ছেদি ছাৰখাৰ কৰে; কিন্তু দিনৌ তিনিবাৰকৈ তাত ধাৰ দিব লাগে।" এনেতে ওচৰত থকা ভকতসকলে গুৰুজনক সুধিলে "বাপ, এই চাল-খনেৰে কি কৰে?" গুৰুজনে লস্কৰক কলে "ৰূপাৰৰ, তোমাৰ চালৰ শক্তি এওঁলোকক দেখুৱা-চোন।" এই আজ্ঞা শুনি লস্কৰে বাৰুৱে চাট মাৰি একে জাঁপেই ঘৰ ঘৰ এটা পাৰ হৈ গলত, ভকতসকলে দেখি ভয়ত কঁপিবলৈ ধৰিলে। লস্কৰে তেওঁৰ চালেৰে আৰু এটা চাট মাৰিব খোজা দেখি মাধৱদেৱে তেওঁক নিষেধ কৰিলে।

দক্ষিণকূলৰ সেৱকসকলৰ প্ৰাৰ্থনা মতে শঙ্কৰদেৱৰ পুত্ৰ হৰিচৰণ ঠাকুৰক তেওঁৰ মাতৃয়ে দক্ষিণলৈ পঠিয়াই দিলে। সেৱকসকলে ঠাকুৰক নানা দ্ৰব্য দি সেৱা কৰিলে। কিন্তু তাত প্ৰচাৰিত ধৰ্ম্মক তেওঁলোকে মাধৱদেৱৰ ধৰ্ম্ম বুলি কলত, ঠাকুৰে সেই ধৰ্ম্ম শঙ্কৰদেৱৰ হে বুলি তেওঁলোকক কলে। প্ৰজাসকলে সেই কথা মানিব নোখোজাত, ঠাকুৰে মনত বেজাৰ পাই, তেওঁক দিয়া সেই দ্ৰব্য বস্তুবোৰ নানি এৰি তাতে থৈ গুচি আহিল। এই কথা মাধৱদেৱে শুনি হৰিচৰণ ঠাকুৰক মতাই আনি প্ৰশংসা কৰি কলে "ধন্য মোৰ গুৰু শঙ্কৰদেৱৰ পুত্ৰ তুমি, তুমি অতি সাধু কাৰ্য্য কৰিলা। শঙ্কৰে হে ধৰ্ম্মৰ গুৰু। শঙ্কৰৰ ধৰ্ম্ম বিনে আৰু কাৰো ধৰ্ম্ম নাই।" এই দৰে কৈ তেওঁ হৰিচৰণ ঠাকুৰৰ লগত অনেক দ্ৰব্য বস্ত্ৰ দি পঠিয়াই দিলে।

অষ্টাবিংশ অধ্যায়

ব্ৰাহ্মণৰ বিদ্বেষ আৰু ৰজাৰ হাতত মাধৱদেৱৰ বিপত্তি

বৰপেটা থানত থাকি মাধৱদেৱে এইদৰে ধৰ্ম্ম প্ৰকাশ কৰি থাকোতে এদিন এটি ঘটনা ঘটিল যাৰ ফলত তেওঁৰ জীৱনৰ শেষ কাল ভোগৰত কিছু অশান্তি হল। অসুৰাৰি ভটাচাৰ্য্য নামে এজন ব্ৰাহ্মণ পণ্ডিত আছিল। তেওঁৰ পুতেক এজনে শান্তিপুৰত শাস্ত্ৰ পঢ়ি বিদ্যাভিমানী হৈ ঘৰলৈ আহি, এদিন মাধৱদেৱৰ সৈতে সাক্ষাৎ কৰিবলৈ গৈছিল। মাধৱদেৱে তেওঁক সমাদৰ কৰি বহুৱাই আলাপ কৰিলত তেওঁ লাহে লাহে পাণ্ডিত্যৰ গৰ্ব্ব প্ৰকাশ কৰি মাধৱদেৱৰ সৈতে শাস্ত্ৰৰ তৰ্ক কৰিবলৈ ধৰিলে। ভটাচাৰ্য্যৰ পুতেকে কলে যে মনুষ্য জন্মত শিৱ, ব্ৰহ্মা, দেৱ, দেৱী সকলোকে অৰ্চিচব লাগে। মাধৱদেৱে বেদান্তৰ পৰা ব্ৰহ্ম নিৰুপণৰ শ্লোক উদ্ধাৰ কৰি তেওঁক বুজালে যে ব্ৰহ্মা হৰকে প্ৰমুখ্য কৰি সকলো দেৱতা প্ৰকৃতত জাত হৈছে, আৰু প্ৰকৃতিতে আশ্ৰয় কৰি থাকে; মহাকল্পৰ অৱসানত তেওঁলোকৰ বিনাশ ঘটিব। পৰমব্ৰহ্মপুৰুষ নিত্য। মাধৱদেৱে ইত্যাদি প্ৰকাৰে নানা শাস্ত্ৰৰ মত উদ্ধাৰ কৰি ডেকা পণ্ডিতক মাতিব নোৱাৰা কৰিলত, তেওঁ লাজ পাই মাধৱদেৱৰ ওচৰৰ পৰা উঠি ঘৰলৈ আহিল। অসুৰাৰিয়ে পুতেকৰ মুখৰপৰা এই বৃত্তান্ত শুনি, বুধি আলচি আহি মাধৱদেৱক মুখৰ সমাদৰ দেখুৱাই কলে যে "মই তোমাৰ ৰঙ্গিয়াল ঘৰ চাবলৈ আহিছোঁ। শুনিছো বোলে ঘৰটো বৰ ধুনীয়া হৈছে, আৰু তাত সুন্দৰ নাচ গান হয়। মোক কৃপা কৰি দেখুৱাব লাগে।"

ব্ৰাহ্মণৰ প্ৰাৰ্থনা শুনি মাধৱদেৱে তেওঁৰ ৰঙ্গিয়াল ঘৰলৈ নৈ গৈ নটুৱা ভকতৰ লৰাৰ হতুৱাই ছালিনাচ, জুমুৰানাচ আদি দেখুৱালে। কোনো কোনো নটুৱাক গোপিনীৰ সাজ পিন্ধাই নৃত্য কৰোৱা হৈছিল। অসুৰাৰিযে নাচ গান শুনি সন্তোষ প্ৰকাশ কৰি, ঘৰলৈ উভতি আহি পুতেক আৰু আন আন ব্ৰাহ্মণ জন চেৰেকক লগত লৈ পৰামৰ্শ কৰি বিজয়পুৰলৈ গৈ ৰজা ৰঘুদেৱৰ আগত গোচৰ দিলেগৈ যে "মাধৱ নামেৰে শূদ্ৰ এজনে ধৰ্ম্মপ্ৰচাৰৰ চেলু লৈ লোকৰ মাজত অনাচাৰ প্ৰচাৰ কৰিছে। মাধৱে বেদ নামানে, বেদ বিহিত সকলো কাৰ্য্যকে পৰিহাৰ কৰিছে, গোপ ৰূপেৰে ঘৰ এটা সজাই কপট আচাৰেৰে লোকক ভুলাবলৈ তাত যুৱতী নৰ্ত্তকী সকলৰ হতুৱাই নাচ গান কৰায়। ইফালে নিজক তেওঁ উদাসীন বুলি প্ৰকাশ কৰে। তেওঁৰে সৈতে শাস্ত্ৰৰ বাদ কৰিবলৈ গলে, তেওঁ আচল কথাৰ উত্তৰ নিদি আন কথা কয়। এতেকে তেওঁক ধৰাই আনি এই কথাৰ বিচাৰ কৰাৰ লাগে।" এই কথা শুনি ৰঘুৰায়ে খং কৰি তেতিয়াই মাধৱক ধৰি নিবলৈ সুৰানন্দ নামে বিষয়া এজনক পঠিয়ালে। সুৰানন্দই ৰাজ আজ্ঞা শুনি খেল-নাৱেৰে গৈ বৰপেটাৰ ঘাটত নাও ৰখালে। তাতে সুৰানন্দই ৰূপাবৰ লস্কৰক দেখা পাই কলে যে তেওঁ হাজোলৈ যাবলৈ আহিছে; বাটতে মাধৱদেৱেৰে সৈতে এবাৰ দেখা কৰি যাব; এতেকে ভালেই হল, লস্কৰে দয়া কৰি মাধৱদেৱৰে সৈতে তেওঁৰ দেখা কৰাই দিলে বৰ অনুগ্ৰহৰ কাৰ্য্য হব। এই কপট বাক্য বিশ্বাস কৰি লস্কৰে, সুৰানন্দই তেওঁৰে সৈতে দেখা কৰিবৰ নিমিত্তে আহিছে বুলি মাধৱদেৱক কলত, মাধৱদেৱে সুৰানন্দক তেওঁৰ ওচৰলৈ আনিবলৈ কলে।

এইখিনিতে কোৱা যাওক যে ৰঘুদেৱ ৰজা চিলাৰায়ৰ পুত্ৰ, আৰু লক্ষ্মীনাৰায়ণ ৰজা নৰনাৰায়ণৰ পুত্ৰ। চিলাৰায়ৰ মৃত্যুৰ পিছত নৰনাৰায়ণে তেওঁৰ ৰাজ্যখন সমানে দুভাগ কৰি পূৰ্ব্ব খণ্ড ৰঘুদেৱক দিলে, পশ্চিমৰ খণ্ড লক্ষ্মীনাৰায়ণক দিলে। এই-দেখি নৰনাৰায়ণৰ ৰাজ্যৰ কামৰূপৰ ছোৱা ৰঘুদেৱৰ ভাগত পৰিল। এইবাৰেই কামৰূপ বৰপেটানিবাসী মাধৱদেৱৰ ওপৰত ৰঘুদেৱৰ অধিকাৰ।

সুৰানন্দ বৰপেটাৰ নামঘৰত সোমালত মাধৱদেৱ তালৈকে আহিল। তেওঁ কপটভক্তি দেখুৱাই মাধৱদেৱক প্ৰণাম কৰি কলে যে "মোক ৰজাই হাজোলৈ পঠিয়াইছে, সেইদেখি আহিছো; বাটতে আপোনাক সাক্ষাৎ কৰিবলৈ বুলি সোমালো। ভকতসকলক নাম লবলৈ কওক, তেওঁলোকে নাম প্ৰসঙ্গ কৰা চাবৰ মোৰ বৰ অভিলাষ হৈছে।" এই কথা শুনি মাধৱদেৱে ভকতসকলক নামঘৰলৈ আহিবলৈ কলে। ভকতসকলে নামঘৰত সোমালতে, সুৰানন্দই কীৰ্ত্তন-ঘৰৰ দুইখন দুৱাৰত শলখা মাৰি তেওঁলোক সকলোকে বন্দী কৰি, মাধৱদেৱক কলে, "ৰজাৰ আজ্ঞা হৈছে, আপোনাক বান্ধি লৈ যাবলৈ; সেইদেখি আপুনি হাত দুটা একেঠাই কৰক।" এই আদেশ শুনি মাধৱদেৱে হাত দুটি মেলি একেঠাই কৰিলতে, সুৰানন্দই গামোছাৰে হাত দুখন বান্ধিবলৈ, তাৰ ওপৰত গামোছা এখন থৈ কলে "এহেজাৰ টকা ওলগনি দিব লাগিব। এতিয়াই দিয়া।" মাধৱদেৱে উত্তৰ দিলে, "আমি উদাসীন দুখীয়া মানুহ, আমাৰ হাতত এহেজাৰ টকা কৰপৰা ওলাব? লাগে যদি পিছত ভিক্ষা কৰি আনি দিম।" তথাপি সুৰানন্দই নেৰি, এশ টকা অনাই লৈহে মাধৱদেৱৰ হাতৰ পৰা গামোছা গুচালে। সেই দিনালৈ সুৰানন্দই তাতে ভকতসকলক এৰি দি, পিছদিনা মাধৱদেৱক লগত লৈ বিজয়পুৰ পাই, ৰজাক "মাধৱক আনিছো" বুলি জনালতে, ৰজাই ব্ৰাহ্মণৰ ঘৰত মাধৱদেৱক থাকিবলৈ দিবলৈ আদেশ কৰিলত সুৰানন্দই তেওঁক তাতে থৈ

ঘৰলৈ গল। পিছত গাভৰু মাজিয়ে এই কথা শুনি, মাধৱ-ঘৰৰ ওচৰতে চৈৰ ঘৰ এটি সাজি তাতে মাধৱদেৱক থাকিবলৈ দিলে।

মাধৱদেৱ তাতে এইদৰে কিছুদিন আছে, ইতি-মধ্যতে বঙ্গীয়া ব্ৰাহ্মণ ভটাচাৰ্য্যসকলে তেওঁৰে সৈতে ৰাজসভাত ভালকৈ বাদ কৰিবলৈ শাস্ত্ৰবোৰ উবাই-ঘূৰাই পঢ়ি প্ৰস্তুত হৈ লৈছে। ব্ৰাহ্মণসকলৰ এনে কথা শুনি মাধৱদেৱৰ লগৰ ভকত মদুমণিয়ে মাধৱদেৱক কলে "বাপ, মই শুনিছো, সিফালে ব্ৰাহ্মণসকলে আপোনাৰ সৈতে বাদ কৰিবলৈ দিনে ৰাতিয়ে অনেক শাস্ত্ৰ লুটিয়াই-পুটিয়াই পঢ়িব লাগিছে; আৰু আপুনি শাস্ত্ৰ এখনবো পাত এটা নেমেলাকৈ নিশ্চিন্ত হৈ বহি আছে।"

এই কথা শুনি মাধৱদেৱে কলে "তুমি ইমান ভয় খাইছা কেলৈ? দ্বিজসকলে যিমান শাস্ত্ৰ মাতিব তেওঁলোকৰ শাস্ত্ৰৰেই তেওঁলোকৰ মুখ বন্ধ কৰিম।" ইয়াৰ দিনচেৰেকৰ পিছত ব্ৰাহ্মণসকলে আলচ কৰিলে যে "পূৰ্ব্বে নৰনাৰায়ণ ৰজাৰ সভাত মাধৱৰ গুৰু শঙ্কৰেৰে সৈতে ব্ৰাহ্মণসকলে বাদ কৰি বাদত হাৰিলত ৰজাই তেওঁলোকক লঘু কৰি খেদিলে। এতিয়াও আমি বাদ কৰাৰ আগেয়ে মাধৱৰ বিদ্যাৰ জোখ কিমান বুজি লোৱা যাওক, এতেকে জনচেৰেক ওজা ছাত্ৰক মাধৱৰ ওচৰলৈ পঠিয়াই দিয়া যাওক, সিহঁতে দুই চাৰি প্ৰশ্ন কৰি চাওক।" ইয়াকে আলচ কৰি তেওঁলোকৰ ওজা-ছাত্ৰ জনচেৰেকক মাধৱদেৱৰ ওচৰলৈ তেওঁলোকে পঠিয়ালত, সিহঁতে মাধৱদেৱৰ পাণ্ডিত্য দেখি ভয় খাই আহি তেওঁলোকক কলত, তেতিয়া তেওঁলোকে পৃষ্ঠভঙ্গ দিয়াকে থিৰ কৰিলে। তেওঁলোকে তেওঁলোকৰ প্ৰতিনিধি কৰি বাগ্‌ভট্টাচাৰ্য্য নামেৰে এজনক ৰজাৰ ওচৰলৈ পঠিয়াই তেওঁৰ হতুৱাই ৰজাক কোৱালে যে "মহাৰাজ, আমি এইজন মাধৱক অনাৰলৈ কোৱা নাছিলোঁ, খনাৰ মাধৱ বুলি এজনকহে অনাবলৈ কৈছিলোঁ। ভুলকৈহে এওঁক অনোৱা হৈছে। এওঁ মহা সদাচাৰী আৰু ধাৰ্মিক ভকত।" ব্ৰাহ্মণে এই কথা যেতিয়া কৈছিল, তেতিয়া ৰজাই গা ধুইছিল। এই নতুন কথা শুনি ৰজাৰ বৰ খং উঠিল। ৰজাই হাতৰ লোণৰ কলহটো বাগ্ ভট্টাচাৰ্য্যৰ গালৈ মাৰি পঠিয়াই কলে "আগেয়ে তোমালোকে মোক মাধৱ অনাচাৰী বুলি কলা, এতিয়া আকৌ সদাচাৰী বুলি কৈছা। তোমালোকৰ শিঙ্গায়েই কয় ধৰ ধৰ; আকৌ ঘূৰি তোমালোকৰ শিঙ্গায়েই এতিয়া কয় এৰ এৰ।" তেতিয়াই ৰজাই সুবানন্দক মতাই হুকুম দিলে "সুবানন্দ, তুমি এই মূহূৰ্ত্তে, মাধৱক লৈ গৈ তেওঁৰ নিজৰ থানত থোৱাঁগৈ।" সুবানন্দই ওঠৰ বৈচাৰে সৈতে খেল-নাও আনি তাত মাধৱদেৱক তুলি লৈ গৈ ভজাবোৰ ঘাট পালত মাধৱদেৱ তাতে বল। সুবানন্দ নিজৰ ঘৰলৈ গল। সুবানন্দৰ পিতৃ মাতৃয়ে ইয়াৰ পিছত মাধৱদেৱৰ ওচৰলৈ আহি সুবানন্দৰ দোষৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলত মাধৱদেৱে ক্ষমা কৰিলে। হৰিকৃষ্ণ আতৈয়ে মাধৱদেৱৰ বাৰ্ত্তা শুনি আহি তেওঁক আগ বঢ়াই লৈ গৈ অনেক যতন কৰি শুশ্ৰষা কৰি নিজৰ ঘৰত ৰাখিলে। মাধৱদেৱে সাত দিন ৰজাৰ নাৱত থাকি তাৰ পিছত ঘাটতে ৰামচৰণে তেওঁৰ ৰাতৰি লৰলৈ যোৱা নাও পাই ৰজাৰ নাৱৰপৰা সেই নাৱত উঠি বৰপেটা পালেহি। ভনীয়েক উৰ্ব্বশীয়ে তেওঁৰ নিমিত্তে মহা চিন্তা কৰি আছে জানি তেওঁ তেতিয়াই সুন্দৰীদিয়ালৈ যাবলৈ ইচ্ছা কৰি সেৱক-সকলক কলে যে "তোমালোক বৰপেটা থানত থাকাঁহঁক; মথুৰদাসে তোমালোকক প্ৰতিপাল কৰি ইয়াত থাকিব।" এই দৰে মাধৱদেৱে মথুৰাদাস অৰ্থাৎ বঢ়া আতাৰ হাতত বৰপেটা থানৰ ভাৰ দি সুন্দৰীলৈ গল। ভনীয়েকে ককায়েকক নিৰাপদে অহা দেখি পৰম আনন্দিত হৈ যত্ন কৰি ৰাখিলে। ইয়াৰ পিছত তেওঁ তাতে সেৱক সকলেৰে সৈতে নামধৰ্ম্ম প্ৰকাশ কৰি থাকিল। তাতে যৱন জয়হৰি আতৈয়ে তেওঁৰ ওচৰত ধৰ্ম্মক ধৰে। এই যৱনজনে ধৰ্ম্মক ধৰা সম্পৰ্কে এই দৰে কোৱা হয়,—জয়হৰিয়ে সদায় মাধৱদেৱৰ ওচৰলৈ আহি পৰম ভক্তি ভাবে ধৰ্ম্মৰ কথা শুনি থাকে। এদিন জয়হৰিয়ে শুনিলে যে মাধৱদেৱে সেই স্থান এৰি বেহাৰলৈ যাবৰ ইচ্ছা কৰিছে। এই কথা শুনি জয়হৰিয়ে অতি শোকাকুল হৈ মাধৱদেৱৰ ওচৰত ধৰ্ম্মক ধৰিবলৈ প্ৰাৰ্থনা কৰিলে। প্ৰথমতে মাধৱদেৱে তেওঁক শৰণ দিবৰ ইচ্ছা নকৰিছিল; কিন্তু জয়হৰিয়ে গুৰুজনৰ চৰণ চিন্তা কৰি ভাত পানী এৰিলে দেখি, স্বপ্নত মাধৱদেৱে বৰপেটাৰ নাম-ঘৰৰ টুপত তেওঁক তেওঁৰ আগত ধৰ্ম্মক চিচি শৰণ কৰালে আৰু মথুৰাদাসক ভক্তি সেৱা কৰি থাকিবলৈ উপদেশ দিলে। জয়হৰিয়ে কৃতকৃত্য হৈ পিছদিনা ভাৰ-ভেটি লৈ মথুৰা-দাসক সেৱা কৰিলত মথুৰদাসে তেওঁক "তুমি কোন" বুলি সুধিলত, জয়হৰিয়ে স্বপ্নত মাধৱদেৱৰ ওচৰত শৰণ লৈ ধৰ্ম্মক পোৱা বুলি কৈ গুৰুজনৰপৰা ধৰ্ম্মৰ যি চৰ্চচনি পাইছিল তাক প্ৰকাশ কৰিলত মথুৰাদাসে ঠিক দেখি জয়হৰিক পৰম সমাদৰ কৰি তেওঁৰ ভাৰ-ভেটি দ্ৰব্য-বস্তু ভঁৰাললৈ নিবলৈ কলে। সেই দিনাৰপৰা জয়হৰি আতৈ সততে মথুৰাদাস আতাৰ ওচৰলৈ আহি বৰপেটাৰ নামঘৰৰ টুপৰ কাষত বহি নাম প্ৰসঙ্গ কৰি থাকিবলৈ ধৰিলে।

ওপৰত লিখা স্বপ্নৰ কথা যিয়েই হওক, এইটো ঠিক যে মহাপুৰুষ মাধৱদেৱে যৱন জয়হৰিক ধৰ্ম্মক ধৰাই শৰণ লগাই ভকতীয়া কৰিছিল আৰু যৱন জয়হৰি এজন প্ৰধান ভক্তৰ ভিতৰত গণ্য হৈছিল। তেওঁ জয়হৰি নাম নিশ্চয় ভকত হোৱাত পাইছিল। পূৰ্ব্বে চান্দসাইকও মহাপুৰুষ শঙ্কৰদেৱে এই দৰে

ভকতীয়া কৰিছিল, আৰু চান্দসায়ে শঙ্কৰদেৱক সেৱা ভক্তি কৰি লগে লগে ফুৰি শেহত পাটবাউসী থান পাইছিলগৈ। মাধৱদেৱৰ নাম ঘোষাত সেইদেখিহে আছে—"গাৰো ভোট যৱনে হৰিৰ নাম লয়। হেনয় হৰিৰ নাম সজ্জনে নিন্দয় ॥" মিকিৰ আৰু ভোট জাতিৰ প্ৰধান ভক্ত দুজনৰ নাম আমি ওপৰত কৈ আহিছোঁ।

বসুদেৱ ৰজাৰ কাৰ্য্যকাৰক সুৰানন্দৰ হাতত লাঞ্ছিত হোৱাৰ দিনাৰেপৰা মাধৱদেৱৰ মনত বিৰকতি লাগিছিল। তেওঁ পূৰ্ব্বে ধুৱাঁহাটত থাকোঁতে দুইজনা গুৰুৱেই সন্ন্যাসীৰ মুখে বেহাৰ ৰাজ্যৰ কথা শুনি তালৈ যাবলৈ মনতে খিৰ কৰিছিল। শঙ্কৰদেৱেও সেইদেখি তেওঁৰ শেষ কালডোখৰ বেহাৰত থাকি তাতে বৈকুণ্ঠ প্ৰয়াণ কৰে। সেই আহি অনুসৰি মাধৱদেৱেও কামৰূপ এৰি বেহাৰলৈ যাবলৈ মনতে নিশ্চয় কৰিলে। তেওঁ বসু ৰজাৰ ওচৰৰপৰা উভতি আহি দুখ কৰি ভকতসকলক কৈছিল "চোৰাঁচোন কেনে অবিবেকী ৰজা! তেওঁ কুতৰ্কী বিদ্বেষী ব্ৰাহ্মণৰ কথা শুনি-মোক ধৰাই নিয়ালে; নি একো নুশুধি আকৌ ফিৰাই পঠিয়াই দিলে। ব্ৰাহ্মণসকলে মোৰ বিপক্ষে যিবোৰ কথা কৈছিল তাৰ একো বিচাৰ নহল; সেইদেখি বদীয়া ব্ৰাহ্মণৰ কথাৰ সঁচা মিছাৰ প্ৰমাণ নহৈ সি অখণ্ডিত হৈ ৰৈ গল। যদি মোক তেওঁলোকেৰে সৈতে তৰ্ক বাদ কৰিবলৈ দিলেহেঁতেন তেতিয়াই মই শাস্ত্ৰৰ বলেৰে তেওঁলোকৰ অসত্য কথাবোৰ তুলাধুনাদি ধুনিব পাৰিলোহেঁতেন। এতেকে এনে অবিমৃষ্যকাৰী ৰজাৰ ৰাজ্যত আৰু মই নাথাকোঁ।" এই বুলি খেদ কৰি মাধৱদেৱে কেশৱচৰণ আতাক কলে "শুনা কেশৱচৰণ, তুমি উজনিলৈ যোৱাঁ, বংশীগোপালে আমাৰ ধৰ্ম্মক ধৰি উজনি ধৰ্ম্ম প্ৰচাৰ কৰি আছে; তেওঁৰ ওচৰলৈ গৈ মোলৈ নাও পঠিয়াই দিবলৈ কৈ কবা, যে এই ঠাই এৰি মোৰ আন ঠাইলৈ যাবৰ মন গৈছে। আৰু তুমি এবাৰ শলখলৈ গৈ সেৱকসকলৰ বাৰ্ত্তা লৈ আহিবা; এজন পুৰুষ আহিব, তেওঁক সাদৰ কৰি আনিবা।" গুৰুৰ বাক্য শুনি কেশৱচৰণ আতা উজনিলৈ যাত্ৰা কৰি গল। এই বাৰ্ত্তা শুনি নাৰায়ণ ঠাকুৰে আহি মাধৱদেৱক প্ৰাৰ্থনা কৰি কলে যে "আপুনি যদি এই ঠাই এৰি আন ঠাইলৈ যাবৰ মনোগত কৰিছে তেন্তে ৰজাক খুজি এডোখৰ পুণ্য ভূমি লৈ তাতে সত্ৰ কৰি থাওক।" ঠাকুৰ আতাৰ কথা শুনি মাধৱদেৱে পুণ্য ভূমি এডোখৰ খুজিবলৈ ৰজাৰ ওচৰলৈ ভকত পঠিয়ালে। বাটত বিদ্বেষী কপট ব্ৰাহ্মণসকলে ভকতক লগ পাই তেওঁলোক কলৈ যায় সেই কথাৰ উৱাদিহ লৈ, মাধৱদেৱৰ প্ৰতি কপট সম্ভাৱ দেখুৱাই কলে যে "বেছ কথা, আমি ৰজাক কৈ এতিয়াই পুণ্যভূমি এডোখৰ মাধৱক দিয়াম।" এইবুলি তেওঁলোকে ভকতসকলৰ লগ লাগি ৰজাৰ ওচৰত উপস্থিত হৈ ৰজাক কলে "মহাৰাজ, মাধৱদেৱক সত্ৰ কৰি থাকিবলৈ পুণ্যভূমি এডোখৰ দিয়ক।" ৰজাই ব্ৰাহ্মণসকলক সুধিলে "পুণ্যভূমি ক'ত আছে কোৱাঁ?" ব্ৰাহ্মণসকলে কলে "মাধৱ বৈষ্ণৱ। বৈষ্ণৱৰ পুণ্যভূমি গোকুল; এতেকে তেওঁক গোকুললৈ পঠিয়াই দিয়ক।" অবিবেকী ৰজাই এই কথা শুনি তেতিয়াই মাধৱক গোকুললৈ যাবলৈ আদেশ দিলে। দূতে আহি মাধৱদেৱক এই কথা কলত, তেওঁ বোলে "মই গোকুললৈ যাবলৈ বিচৰা নাই।" তেওঁ তেতিয়াই সেই কথা ৰজাক জনাবলৈ ৰূপাবৰ লস্কৰক ৰজাৰ ওচৰলৈ পঠিয়াই দিলে। লস্কৰে গৈ ৰজাৰ ভোগ ৰান্ধনি বামুণক ধৰিলে যে তেওঁ ৰজাক বুজাই কওক যে মাধৱদেৱে গোকুললৈ যাবলৈ বিচৰা নাই; তেওঁক আন এডোখৰ পুণ্য ঠাইহে নিৰূপণ কৰি দিব লাগে। ভোগ ৰান্ধনি বামুণে ৰজাক কলে যে "মহাৰাজ আপুনি নবুজি মাধৱক গোকুললৈ যাবলৈ আজ্ঞা দিছে। গোকুল বৃন্দাবন কাশী এইবোৰ ঠাই আপোনাৰ নহয়; লোকৰ ঠাই আপুনি কেনেকৈ দিব? মাধৱদেৱক আপোনাৰ ৰাজ্যৰ ভিতৰৰে এডোখৰ পুণ্যভূমি দিয়ক।" ৰজাই ভাবি কলে যে "তেন্তে পুণ্যভূমি হাজো; তালৈকে মাধৱ যাওক তাতে থাকক গৈ।" এই বুলি ৰজাই দূত পঠিয়াই মাধৱদেৱক হাজোলৈ যাবলৈ আজ্ঞা দিলে। ৰজাৰ আদেশ শুনি মাধৱদেৱ নিৰুপায় হৈ হাজোলৈ নাৱেৰে যাত্ৰা কৰি গৈ হাজোৰ ওচৰত ৰামবালি নামেৰে বালিত নাও বান্ধি ৰল।

কেশৱচৰণ আতাই উজনিলৈ আহোঁতে বাটতে মাধৱদেৱৰ বিঘিনিৰ বাতৰি শুনি মনত বৰ বেজাৰ কৰি, কুমাৰগিৰি নামে গাৱঁত ৰৈ তাতে থাকি ভোজন কৰিবলৈ চাউল সিজাইছিল, এনেতে এজনী স্ত্ৰীলোকে তেওঁক বাতৰি দিলে, যে তেওঁ যাৰ নিমিত্তে বেজাৰ কৰি আছিল, সেইজন এই বালিতে নাও বান্ধি আছে। এই বাতৰি শুনি কেশৱচৰণ আতাই ব্যস্ত হৈ পৰি ৰন্ধা ভাতৰ চৰুটো উবুৰিয়াই ভাত পেলাই এৰি থৈ লৰালৰিকৈ মাধৱদেৱৰ ওচৰ পালেহি। মাধৱদেৱে কেশৱচৰণক দেখি আচৰিত হৈ সুধিলে "কেশৱচৰণ, তুমি এতিয়াও উজানলৈ যোৱা নাই?" কেশৱচৰণে কলে "বাপ, ৰজাৰ বিচেষ্টাৰ কথা শুনি মহা চিন্তিত হৈ আপোনাৰ ভাল মন্দৰ বুজ লবলৈ বৈছিলোঁ; এতিয়া আপোনাৰ শ্ৰীচৰণ দেখিহে মোৰ মনলৈ শান্তি আহিছে।" এই কথা শুনি মাধৱদেৱে কেশৱচৰণক আদ্যোপান্ত সকলো ঘটনা কৈ কলে "তুমি আৰু বিলম্ব নকৰি উজনিলৈ যোৱাঁ। বাটত তিনটা ভয় পাবা। তুমি অনা নাৱলৈ বাটচাই মই ইয়াতে থাকিম।" গুৰুজনৰ এই কথা শুনি কেশৱচৰণ আতা তেতিয়াই উজানলৈ যাবলৈ ধৰিলে।

ঊনত্ৰিংশ অধ্যায়

মাধৱদেৱৰ কামৰূপ পৰিত্যাগ আৰু বেহাৰত বাস

হাজোৰ দেৱালয়ৰ ব্ৰাহ্মণসকলে প্ৰতিদিন মাধৱদেৱৰ কাষলৈ আহি কথা-বাৰ্ত্তা পাতি অনেক সাদৰ-সম্ভাষণ কৰি তেওঁক দেৱালয়লৈ গৈ মাধৱক দৰ্শন কৰিবলৈ কৈ থাকে। আগেয়ে ৰজা ৰঘুদেৱেও তেওঁক হাজোলৈ যাবলৈ আজ্ঞা দিছিল; সেইদেখি এদিন মাধৱদেৱ সেৱকসকলেৰে সৈতে হাজোৰ মন্দিৰলৈ গল। দেৱালয়ৰ নাট-মন্দিৰৰপৰাই তেওঁ মাধৱ মূৰ্ত্তিক দৰ্শন কৰি উভতি আহিল। নাটমন্দিৰৰ দুৱাৰৰ পাটত মাধৱদেৱে হাত দি থিয় হৈ আছিল; তাত হাতৰ আঙুলিৰ চিহ্ন বৈ গল। শ্ৰীৰাম আতাই তেওঁৰ লাও আৰু কঁথা বান্ধিবতে থৈ বহি আছিল; এনেতে মাধৱদেৱ উভতি অহা দেখি শ্ৰীৰামে তেওঁৰ লাও আৰু কঁথা তুলি উঠিল। আজি পৰ্য্যন্ত শ্ৰীৰাম আতাৰ সেই লাওৰ চিন পথাৰত খোৰ হৈ বৈ আছে। মাধৱদেৱে পাণ্ডা দলৈ সকলক দক্ষিণা দি, অনুক্ৰমে আহি নিজৰ নাৱত প্ৰবেশ কৰিলে।

হাজোৰ বালিত মাধৱদেৱ এইদৰে কিছুদিন আছে; তেওঁৰ নাম শুনি চাৰিওফালৰপৰা আহি মানুহ তেওঁৰ ওচৰত ভৰি পৰিবলৈ ধৰিলে। দেৱালয়ৰ পাণ্ডাসকলে দেখিলে যে মানুহে দ্ৰব্য বস্তু ভাৰ-ভেটী আনি মাধৱদেৱক হে সৰহকৈ দিবলৈ ধৰিলে, দেৱালয়ৰ ফালে আৰু নেপায়। এনে হোৱা দেখি পাণ্ডাসকলে ভাবিলে যে মাধৱক ইয়াৰপৰা নেখেদিলে তেওঁলোকৰ অসুবিধা হল, এতেকে কোনোমতে মাধৱক হাজোৰপৰা খেদিব লাগিল। ইয়াকে থিৰ কৰি ব্ৰাহ্মণ পাণ্ডাসকলে ৰজাৰ আগত মাধৱদেৱৰ নামে গোচৰ দিলে গৈ। ৰজাই পাণ্ডাসকলৰ উত্তৰ দিলে "জীয়া মাধৱে সকলোকে টানি আনে, তোমাৰ মাধৱে তাত বাধা নিদিয়ে কিয়? কাৰণ তোমাৰ মাধৱ মৰা। তথাপি তোমালোকে গৈ মাধৱক কব পাৰা যে তেওঁৰ ইচ্ছা হলে হাজোৰ আন ঠাইলৈ যাব পাৰে, মোৰ ৰাজ্যত আৰু আন আন দেৱালয়ো আছে, আৰু যতে ইচ্ছা তেওঁ থাকিব পাৰে।" এই কথা শুনি পাণ্ডা দলৈসকলে আহি ৰজাৰ আদেশৰ কথা মাধৱদেৱক কলত মাধৱদেৱে বৰং বৰ সন্তোষ পাই, তাৰ পিছদিনাই নীলাচললৈ আহিল। আমৰাগুৰিৰ ঘাটত নাও বান্ধি মাধৱদেৱ নীলাচল পৰ্ব্বতত উঠিল, পাণ্ডাসকলে অনেক মান্য সৎকাৰ কৰি তেওঁক নৈ গল। পাণ্ডাই মাধৱদেৱক মন্দিৰৰ ভিতৰলৈ যাবলৈ কলত, মাধৱদেৱে অনিচ্ছা প্ৰকাশ কৰি পাণ্ডা সকলক কলে "ভিতৰত মোৰ কোনো সকাম নাই। ভিতৰলৈ মোৰ যোৱা উচিত নহয়; কাৰণ মাতৃৰ গুপ্ত অঙ্গ পুত্ৰই জানো দৰ্শন কৰিব পায়?" এই বুলি তেওঁ পাণ্ডাসকলক কৈ দক্ষিণা দি বিদায় দি নিজৰ নাৱত উঠি আকৌ ভটিয়াই যাবলৈ ধৰিলে। তেওঁ হাজোৰ বালি পাই ঠাকুৰ আতা আৰু ৰামচৰণ ঠাকুৰক তেওঁলোকৰ ঘৰলৈ পঠিয়াই দিলে।

বেহাৰৰ লক্ষ্মীনাৰায়ণ ৰজাৰ আইধায়ে মাধৱদেৱৰ প্ৰতি ৰঘুৰজাৰ বিচেষ্টাৰ কথা শুনি বৰ খেদ কৰি নিজৰ মূৰৰ চুলি ছিঙি সোণৰ সফুৰা এটিত ভৰাই অনেক কাকুতি মিনতি কৰি মাধৱদেৱৰ ওচৰলৈ সাত সতৰীয়াৰ হাতত পঠিয়াই দি, তেওঁক বেহাৰলৈ যাবলৈ মতাই পঠিয়ালে। সাত সতৰীয়াসকলে উজাই আহি হাজোৰ বালিতে মাধৱদেৱক পাই, সেই সোণৰ সফুৰাটি দি আইধাইৰ প্ৰাৰ্থনা জনালত, মাধৱদেৱে বেহাৰলৈ যাবলৈ আৰু দৃঢ় সঙ্কল্প কৰিলে। হাজোৰপৰা ভটিয়াই গৈ মাধৱদেৱে গড়িয়াৰ ঘাট পাই তাতে নাও ৰখাই ভকত পঠিয়াই সেৱক সকললৈ আৰু ৰামচৰণ আৰু নাৰায়ণঠাকুৰলৈ বাৰ্ত্তা পঠিয়ালে, যে তেওঁলোকে মনদিয়াৰ ঘাটলৈ আহি যেন তেওঁৰ সৈতে দেখা কৰে। মনদিয়াৰ ঘাট পাই গুৰুজনে তাতে নাও বান্ধি আছে; তালৈকে ঠাকুৰ আতা, ঠাকুৰ আতাৰ পুতেক পৰমানন্দ, বুঢ়া আতা, ৰামচৰণ আৰু আন আন সেৱকসকল আহি মাধৱদেৱক দৰ্শন আৰু সেৱা কৰি ঘৰাঘৰি গল। ঠাকুৰ আতাই অনেক খেদ কৰি মাধৱদেৱক কলে "আজি প্ৰায় এবছৰ মই দুৰ্ভগীয়াই আপোনাৰ চৰণ সেৱা কৰিবলৈ নেপাই দুখত মৃতপ্ৰায় হৈ আছিলোঁ।" মাধৱদেৱে তেওঁক সান্ত্বনা কৰি কলে "সখি, তুমি মোক সদায় পাবা তোমাৰ মোৰে বিচ্ছেদ নাই।" মাধৱদেৱে ৰামচৰণক সুধিলে "বাপু ৰামচৰণ, তই মোৰ লগত যাবৰ মন কৰিছ নেকি?" ৰামচৰণে সেই কথাৰ উত্তৰ নিদি কান্দিবলৈ ধৰিলত তেওঁ ৰামচৰণক কলে "বাপু, তোৰ পিতা বৃদ্ধ তেওঁক এৰি এতিয়া তই মোৰ লগত যাব নেলাগে। তোৰ পিতৃক সেৱা কৰি ঘৰতে থাক। তই এটা কাম কৰিবি,—শ্ৰীশঙ্কৰ গুৰুৱে কীৰ্ত্তন ঘোষা কৰিলে, কিন্তু সি ছোৱা ছোৱা হৈ ঠায়ে ঠায়ে থাকিল। এতেকে তই সকলোবোৰ গোটাই একে ঠাই কৰি এবছৰৰ মূৰত মোৰ ওচৰলৈ লৈ যাবি। মথুৰাদাস, তুমি বৰপেটা থানলৈ যোৱাঁ, তাত ভকতক প্ৰতিপাল কৰি বস্তিগাঁচ অনাই থাকিবা। গোপাল, তুমিও সেৱকসকলক প্ৰতিপাল কৰি থাকিবা।" এইদৰে মাধৱদেৱে সকলোকে মাত-বোল লগাই নাও মেলি যাবলৈ উদ্যোগ কৰিছে এনেতে তেওঁৰ আলধৰা মনপূৰে আহি তেওঁক তেওঁৰ গাৰ পৰা কাপোৰখন খুজিলে। মাধৱদেৱে মনপূৰক কলে যে তেওঁ বিদেশলৈ যায়, তেওঁৰ গাৰ পহিৰণ দিলে তেওঁৰ দুখ হব, এতেকে মনপূৰক লাগে যদি আন এখন পাট দিব। মনপূৰে কিন্তু সেই পহিৰণহে নিবলৈ নেৰানেপেৰাকৈ ধৰিলত, তেওঁ মনপূৰক নিজৰ গাৰ পহিৰণ দি কলে

"মনপুৰে মোৰ গাৰ ছালখন নিচে এৰিলে।" আচৰিত কথা যে মনপুৰে সিমানতো পৰিখন আনি কান্ধত লৈ ঘৰলৈ আহোঁতে কোনোবাই বাটতে তাৰ কান্ধৰপৰা পৰিখন লৈ গুচি গল, সি কবই নোৱাৰিলে। ইয়াৰ পিছত মাধৱদেৱে ঠাকুৰ আতাক আলিঙ্গন কৰি, ৰামচৰণ আৰু পৰমানন্দৰ মূৰ শুঙি তেওঁলোকক বিদায় দি নাও মেলি ভটীয়াই গল। তেওঁ গধূলি বেলিকা খাগৰাকটা ঘাট পাই তাতে নাও ৰখাই থাকি ভোজন কৰি, পিছদিনা দক্ষিণকূলৰ সোঁতাইদি গৈ আৰিমৰা ঘাট পালেগৈ। আৰিমৰা ঘাটতে ভকতসকলে কিছু মান মাছ ধৰি নাৱৰ কাষলৈ অনা দেখি মাধৱদেৱে ৰাগ প্ৰকাশ কৰি ভকতসকলক কলে "তোমালোকে বৈষ্ণৱ হৈ এনে জীৱহিংসা কৰিলা কি বুলি? ঈশ্বৰৰ অংশ জীৱক কি বুলি তোমালোকে বধ কৰিলা?" ভকতসকলে উত্তৰ দিলে "এঠাইত পানী শুকাই গৈছিল, মাছবোৰ তাতে কমাই আছিল, চৰাইবোৰে সিইঁতক ধৰি ধৰি খাইছিল; বাকীবোৰ তাতে মৰিল দেখি আমি ধৰি লৈ আহিলোঁ।" এই কথা শুনি মাধৱদেৱে তেওঁলোকক কলে "যদি ব্ৰাহ্মণ এজনৰ মৃত্যু সন্নিহিত হয়, তেওঁৰ আৰু জীয়াই থাকিবৰ আশা নাই, মাত্ৰ থকাখিনি সময় দুখকেহে পাইছে, পিছে তেনেকুৱা দেখি যদি সেই ব্ৰাহ্মণক বধ কৰি পেলোৱা যায় তেন্তে বধ কৰোঁতাৰ গাত ব্ৰহ্মবধ পাতক নালাগিব নে?" ইয়াৰ পিছত ভকত-সকলে তেওঁলোকৰ দোষৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি-লত যদিও মাধৱদেৱৰ মনৈ মনে থাকিল কিন্তু সেই দিনা তেওঁ মনত বৰ অসন্তোষ পালে।

ইয়াৰ পিছত তেওঁ গৈ সাৰধানি ঘাট পাই নাও ৰখালত ভকতসকল বামলৈ উঠি গল। বৰবিষ্ণু আতাই গধূলি বেলিকা গুৰুজন অহা বাতৰি পাই আচৰিত হৈ সেৱকসকলেৰে সৈতে আহি গুৰুজনৰ পদত পৰি সেৱা কৰি কি কথা কি বাৰ্ত্তা শুধিলত, গুৰুজনে সকলো কথা কৈ তেওঁক সান্ত্বনা কৰি সেই ৰাতি তাতে থাকি পিছদিনা ভটীয়াই গৈ যোৰাঘাট পালেগৈ। যোৰাঘাটত তেওঁ উঠি যাবলৈ ইচ্ছা কৰিলত বলাই নৰসিংহই তেওঁলৈ দোলা পঠিয়াই দিলে, সেই দোলাতে তেওঁ উঠি বলাই নৰসিংহইঁতৰ ঘৰলৈ আহোঁতে বাটতে দেখিলে, যে সিফালৰপৰা বৰু ৰজা আহিব লাগিছে। ৰজা অহা দেখি মাধৱ-দেৱে দূৰৰপৰা আঁতৰি ৰজাই এৰাই গুচি গল।

সোণকোহ নৈ বৰুদেৱ আৰু লক্ষীনাৰায়ণ ৰজাৰ ৰাজ্যৰ সীমা। ৰজাৰ আজ্ঞা ব্যতিৰেকে এই সীমা পাৰ হব নাপায়। সেই দেখি মাধৱদেৱ চিন্তিত হৈ আছিল; এনেতে ভৃগুগুৰু নামে এজন মাধৱদেৱৰ ভক্ত ব্ৰাহ্মণ আহি তেওঁৰ ওচৰত উপস্থিত হৈ তেওঁক অনেক সমাদৰ ভক্তি কৰিলত মাধৱদেৱে ভৃগুক সেই মক্কিলৰ কথা কৈ কলে "তুমি কোনোমতে মোক সোণকোহ পাৰ কৰাই দিয়া।" নৈৰ ঘাটৈৰে সৈতে ভৃগুৰ বন্ধুতা আছিল। সেই দেখি ভৃগুৱে ঘাটোৱালক কলে যে "মোৰ বৃদ্ধ শহুৰ এজন আহিছে; লগত পাঁচ ছজন লোক; তেওঁক কোনোমতে তুমি পাৰ কৰি দিব লাগে।" ঘাটৈয়ে কলে "ৰাতি কোনেও নেদেখাকৈ তোমাৰ শহুৰক লৈ আহিবা, মই পাৰ কৰি দিম।" সেইদৰেই ৰাতি ঘাটৈয়ে মাধৱদেৱক সোণকোহ পাৰ কৰি দিলত, তেওঁ বেহাৰ ৰাজ্যত প্ৰৱেশ কৰি যাবলৈ ধৰিলে। সাত সতৰীয়াই আগ বাঢ়ি গৈ মাধৱদেৱ আহিছে বুলি আইধাইক বাতৰি দিলত, আইধায়ে তেওঁক থাকিবৰ দিহা কৰি দিয়ালে।

মাইডৰীয়া গোপালে অতি ভক্তি ভাৱ কৰি মাধৱদেৱক তেওঁৰ ঘৰত ৰাখিছিল। এদিন গোপালে কথায় কথায় মাধৱদেৱক কলে "বাপ, ৰজাৰ আগত মই আপোনাৰ কথা কৈছোঁ। আপুনি কেনে আচৰণ কৰে বুলি ৰজাই শুধিলত মই ৰজাক কলোঁ,—তেখেতে মাছ মাংস তেল নাখায়, হবিষ্য কৰি একাহাৰে থাকে; ডাড়ি চুলি নুখুৱায়।—ৰজাই মোৰ কথা শুনি সন্তোষ প্ৰকাশ কৰি আপোনাক প্ৰশংসা কৰিলে।" মাইডৰীয়া গোপালৰ মুখে এই কথা শুনি মাধৱদেৱে বৰ অসন্তোষ কৰি কলে "গোপাল, শ্ৰীশঙ্কৰ গুৰুৱে ব্ৰত ব্ৰহ্মচৰ্য্য আদি সকলো নিবাৰণ কৰি নামধৰ্ম্ম প্ৰকাশ কৰিলে। তুমি যিবোৰ কথা কলা সেইবোৰ ভক্তি-ধৰ্ম্মৰ বিৰোধী এতেকে আৰু তোমাৰ ঘৰত মোৰ থকা নহয়।" এই বুলি তেওঁ তেতিয়াই তাৰপৰা যাবলৈ উঠিল। এনেতে ৰামৰাম আতাই আহি তেওঁৰ ঘৰলৈ নিবলৈ মাধৱদেৱক প্ৰাৰ্থনা কৰিলত, সেৱক সকলেৰে সৈতে মাধৱদেৱ, ৰাম ৰাম আতাই নতুনকৈ প্ৰস্তুত কৰোৱা ঘৰ এটিত থাকিলগৈ।

আইধায়ে বৰভগীয়াক পঠিয়াই দি মাধৱদেৱক কোৱালে যে "যেতিয়া গুৰুজন দাসীক কৃপা কৰি এই ৰাজ্যলৈ আহিল, অনুমতি কৰিলে মই সত্ৰ পাতি থাকিবলৈ ঘৰ সজাই দিয়াব পাৰোঁ।" মাধৱদেৱে সেই প্ৰস্তাৱত তেওঁৰ সন্মতি দিয়া কথা বৰভগীয়াৰ মুখে শুনি পৰম আনন্দিত হৈ ৰজা লক্ষ্মীনাৰায়ণক কলে "বাপু, তোমাৰ বৰ ভাগ্য যে মাধৱ নামে পৰম ভক্ত এজন তোমাৰ ৰাজ্যলৈ আহিছে। তেওঁক সত্ৰ কৰি থাকিবলৈ ঘৰ সজাই দিয়াব লাগে।" এই কথা শুনি ৰজাই কলে "আই এই কলি কালত কোন ভক্ত আছে? ব্ৰহ্মা, মনু হৰ কপিল, কুমাৰ, শুক, ভীষ্ম, বলি ইত্যাদি বাৰজন ভক্ত আগৰ কালত আছিল; তেওঁলোকত বাজে আজিকালি কোন ভক্ত আছে মোক দেখুৱা?" এই উত্তৰ শুনি আইধায়ে মনত বিষাদ পাই একো নামাতি মনে মনে থাকিল। ইয়াৰ পিছত আইধায়ে মাঘ মহীয়া দিনৌ টোৰোচা নৈত

প্ৰাতঃস্নান কৰি কঁপি কঁপি খোজ কাঢ়ি আহে দেখি ৰজাই তেওঁক কলে "আই, তুমি দোলাৰে স্নান কৰিবলৈ নোযোৱা কেলৈ? আজিৰপৰা দোলাৰে যাবা।" আইধায়ে উত্তৰ দিলে "দোলাৰে গৈ মই স্নানৰ পুণ্যৰ অৰ্দ্ধ ফল নকমাওঁ।" আকৌ এদিন আইধায়ে সেইদৰে মাঘ মহীয়া জাৰত স্নান কৰি কঁপি কঁপি অহা দেখি লক্ষ্মীনাৰায়ণ ৰজাই বেজাৰ কৰি, দোলাৰে তেওঁক যাবলৈ আহিবলৈ কলত, আইধায়ে তেওঁক কলে "বাপু, যদি তোমাৰ মোলৈ ইমান মৰম লাগিছে, তেন্তে তুমি মোৰ এটি বাঞ্ছা পূৰ্ণ কৰঁ।—তোমাক মহাৰাজ বুলি জগতে কয়; তোমাৰ প্ৰসাদত প্ৰজা সুখেৰে থাকে; এতেকে তুমি মোৰ এইটি দুখ সোনকালে গুচাব লাগে; তোমাৰ বাহিৰে কোনেও মোৰ এই দুখ গুচাব নোৱাৰে। তমি নগৰৰ ভিতৰলৈ সোনকালে টৌবোচা নৈখন আনি দিয়ঁা, তেনেহলে মই ওচৰতে স্নান কৰিব পাৰোঁ।" ৰজাই কলে "আই মোৰ এনে কৰিবৰ সাধ্য নাই।" আইধায়ে কলে "তুমি মহাৰাজা, নিশ্চয় তোমাৰ শকতি আছে। প্ৰিয়ব্ৰত ৰজাই দেখোন সাগৰ কৰিলে; এতিয়া তুমি ক্ষুদ্ৰ নদী এখনকে আনি দিব নোৱাৰিবা নে?" এই কথা শুনি ৰজাই হাঁহি কলে "আই, আগৰ কালৰ ৰজাৰে সৈতে মোৰ তুলনা কৰিলা নে? সত্যকালৰ ৰজা মহাপৰাক্ৰমী আছিল; মই তেওঁলোকৰ সমান কেনেকৈ হম?" ৰজাৰ কথা শুনি আইধায়ে হাঁহি উত্তৰ দিলে "বাপু, ঠিক কৈছা; কাল অনুসৰি লোকৰ শক্তিৰ তাৰতম্য ঘটে। যেনেকৈ এই কালত তুমি ৰজা হলা, সেইদৰে ভক্তসকলো এই কালৰ অনুযায়ী হৈছে। এতেকে মাধৱদেৱ এই কালত উত্তম ভক্ত, তাকে জানি তেওঁক ভকতি কৰিব লাগে।" এই উত্তৰ শুনি ৰজাই লাজ পাই, তেতিয়াই মাধৱদেৱৰ নিমিত্তে ঘৰ কৰাই দিবলৈ আজ্ঞা দিলে। আইধায়ে আনন্দিত হৈ দলৈৰ মাটি লৈ ভেলাদুৱাৰত মাধৱদেৱলৈ হাটীবাটী নামঘৰ আদি প্ৰস্তুত কৰাই দিয়ালত, মাধৱদেৱ তাতে সত্ৰ পাতি থাকিল। আইধায়ে নানামতে নিতৌ মাধৱদেৱক ভক্তি কৰি থাকিবলৈ ধৰিলে; আৰু ৰজাৰ আগত তেওঁৰ গুণশীল চৰিত্ৰৰ কথা কৈ থাকে। বিজয়পুৰৰপৰা হৰিকৃষ্ণ আহিল, হৰিদাস বণিয়া আহিল; সকলোৱে আনন্দমনেৰে মাধৱদেৱক সেৱা শুশ্ৰূষা কৰি থাকিবলৈ ধৰিলে। ৰাজকোৱঁৰ বীৰনাৰায়ণ আৰু ৰাজমাও আদি কৰি ৰাজ অন্তঃপুৰৰ সকলোৱে আইধাইৰ মুখে দিনৌ মাধৱদেৱৰ গুণশীল শুনি ভক্তি ভাৱে আহি তেওঁৰ শৰণ ললে। এইদৰে কোচবেহাৰৰ অসংখ্য লোক আহি মাধৱদেৱৰ ওচৰত শৰণ লৈ সদাচাৰী হল। বিৰূপাক্ষ কাৰ্জীয়ে মাধৱদেৱৰ ওচৰলৈ সততে আহি শাস্ত্ৰৰ বিচাৰ আলাপ আদি কৰি তেওঁক পৰম ভক্তি কৰি থাকে। তেওঁ এদিন মাধৱদেৱক কলে যে "আপুনি এদিন ৰজাৰ ওচৰলৈ যাব লাগে।" মাধৱদেৱে কলে "ৰজাৰ পাশত মোৰ কোনো কাৰ্য্য নাই।" বিৰূপাক্ষই কলে "মহন্ত, আপুনি ৰজাৰ ওচৰলৈ যোৱাটো ভাল, ৰজাই প্ৰায়ে আপোনাৰ কথা সোধে, আপোনাক দেখিবৰ ইচ্ছা কৰে।" এই কথা শুনি মাধৱদেৱ সন্মত হৈ এদিন ৰজাৰ ওচৰলৈ গলত, ৰজাই মাধৱদেৱ আহিছে শুনি মন্ত্ৰীক পঠিয়াই তেওঁক আগবঢ়াই নি সমাদৰ কৰি বহুৱাই, অনেক শাস্ত্ৰৰ কথা আলাপ কৰি সন্তোষ পাই মধুৰ বচনেৰে বিদায় দিলে। এনে হোৱা দেখি আইধাইৰ মনত আনন্দৰ পাৰ নোহোৱা হল।

আগৰ কালৰ উড়িষ্যাৰ পুৰুষোত্তম গজপতি ৰজাই এদিন তেওঁৰ সভাৰ পণ্ডিতসকলক কলে যে যি অনেক শাস্ত্ৰ বিচাৰি তাৰপৰা তত্ত্ব উদ্ধাৰ কৰি নামৰ মাহাত্ম্য সংগ্ৰহ কৰি এখন শাস্ত্ৰ কৰি তেওঁক দিব সেইজনক তেওঁ পুৰস্কাৰ দিব। এই আজ্ঞা শুনি তেওঁলোকৰ ভিতৰৰ এজন শুদ্ধসত্ত্ব পণ্ডিতে নামৰ মাহাত্ম্যবোৰ একত্ৰ কৰি নাম-মালিকা নামে শাস্ত্ৰ এখন সংগ্ৰহ কৰি দি সেই পুৰস্কাৰ ললে। বিৰূকাৰ্জীয়ে সেই পুথিখন কোচবেহাৰ ৰজা লক্ষ্মীনাৰায়ণৰ ৰজাৰ ভাণ্ডাৰত পাই তাৰ পৰা আনি, প্ৰথমতে এজন ব্ৰাহ্মণক, তাৰ পিছত এজন কায়স্থক তাৰ পদ ভাঙনি কৰিবলৈ দিলে; কিন্তু তেওঁলোকৰপৰা সেই কাৰ্য্য সুকলমে নোহোৱা দেখি, কাৰ্জীয়ে পুথিখন মাধৱদেৱক দি পদ কৰিবলৈ কলে। মাধৱদেৱে হৰিষমনেৰে নানা ছন্দেৰে তাৰ পদ কৰি বিৰূ কাৰ্জীক দিলত, কাৰ্জীয়ে মহা সন্তোষ পাই মাধৱদেৱক প্ৰশংসা কৰিবলৈ (১) ধৰিলে।

এই ভেলাদুৱাৰ সত্ৰত থাকোতেই মাধৱদেৱে ঘোষা শাস্ত্ৰৰ সাৰ সংগ্ৰহ কৰি কুলুপৰ ছন্দত ঘোষা প্ৰস্তুত কৰিলে, যাতে ভকতসকলে দিনৌ তাৰে প্ৰসঙ্গ কৰিব পাৰে। এই ঘোষাক নাম-ঘোষা বোলে। শৰণ, ভজন, নিন্দা, স্তুতি, উপদেশ, প্ৰাৰ্থনা, কাকুতি, খেদ আদি চৌবিশ কুলুপত এই ঘোষা মাধৱদেৱে বিভাগ কৰি ৰচনা কৰি, তাৰ পিছত তাক কুলুপীয়া আৰু ধৰি-গোৱা এই দুটা ডাঙৰ ভাগ কৰিলে। এই কুলুপীয়া ঘোষা তেওঁ গ্ৰন্থগত নকৰি নিবন্ধৰ কৰি বাখি ভকতসকলৰ হৃদয়ত স্থাপনা কৰিলে। প্ৰথমতে এই ঘোষা মাধৱদেৱে জনাৰ্দ্দন নামে এজন ভকতৰ হৃদি আৰু কণ্ঠগত কৰালে। জনাৰ্দ্দনৰপৰা পিছত আন ভকতসকলে পালে।

এদিন শ্ৰীৰাম আতাই কামৰূপলৈ আহিবলৈ মনস্থ কৰি গুৰুজনক জনালত, মাধৱদেৱে তেওঁক তিনি পখৰ ভিতৰতে উভতি আহিবলৈ কৈ বিদায় দিলে। তেওঁ কামৰূপলৈ আহি বৰপেটা, জনিয়া

আদি ঠাইত ভকতসকলেৰে সৈতে সাক্ষাৎ কৰি গুৰুজনৰ বাৰ্ত্তা কৈ তাৰ পিছত ভৱানীপুৰলৈ গৈ গোপাল আতাৰ পাশ পালেগৈ। গোপাল আতাই গুৰুজনৰ বাৰ্ত্তা পুছি শুনি পৰম সন্তোষ মনেৰে শ্ৰীৰাম আতাক সমাদৰ কৰি ৰাখিলে। গোপাল আতাই দিনৌ দশম শাস্ত্ৰ পাঠ কৰি নানাপ্ৰকাৰে চৰ্চ্চি নানা ৰস নানা কথা-সুধ প্ৰকাশ কৰে, শ্ৰীৰাম আতাই বহি শুনি আনন্দ-ৰসত মগ্ন হৈ সকলো সাংসাৰিক কথা পাহৰি থাকে। এইদৰে থাকোঁতেই তেওঁৰ তাতে তিনি পখ হৈ গল। এদিন শ্ৰীৰামে ভাবিলে যে মই অকাৰ্য্য কৰিছোঁ, গুৰুৰ বাক্য অৱহেলা কৰা হৈছে; তিনি পখ মোৰ ইয়াতে গল। এই বুলি সেইদিনা কথা চৰ্চ্চনৰ পিছত তেওঁ ভৱানীপুৰীয়া গোপাল আতাৰপৰা বিদায় লৈ লৰালৰিকৈ বেহাৰলৈ যাত্ৰা কৰি আহিল। তেওঁ ভেলাদুৱাৰ পান পাই মাধৱদেৱক সেৱা কৰিলত মাধৱদেৱে তেওঁলৈ পিঠি দিলে। শ্ৰীৰামআতাই কাকুতি কৰি দোষৰ ক্ষমা প্ৰাৰ্থনা কৰি কলে "বাপ, ভৱানীপুৰতে মোৰ তিনি পখ গল। গোপাল আতাই দশমৰ কথা চৰ্চ্চা কৰে আৰু মই আপোন-পাহৰি শুনি মুগ্ধ হৈ থাকোঁতে মোৰ এনে দশা হল। বাপ, গোপাল আতাই শাস্ত্ৰ ওলোটাই চৰ্চ্চে।" এই কথা শুনি মাধৱদেৱে শ্ৰীৰাম আতাৰ প্ৰতি প্ৰসন্ন হৈ কলে "মই গোপালৰ কথা জানো। গোপালে কি কাম কৰিছে। অল্পমতি লোকে তাৰ প্ৰকৃত মৰ্ম্ম নুবুজি আওমাটে যায়।" এই বুলি মাধৱদেৱ নিজম হৈ ৰল।

এদিন হঠাৎ জুই লাগি বৰপেটা সত্ৰৰ সেই ৰঙিয়াল ঘৰটি পুৰিলে। বুঢ়াআতাই এই দুৰ্ঘটনাত মহা বিষাদিত হৈ থিৰ কৰিলে, যে তেওঁ আৰু বৰপেটাত নাথাকে, গুৰুজনৰ পাশলৈ গৈ ভেলাতে থাকিব। ইয়াকে থিৰ কৰি বুঢ়া আতা তেওঁৰ ওঠৰজন পালীৰে সৈতে ভেলাদুৱাৰৰ ফালে যাত্ৰা কৰি গল। বুঢ়া আতাৰ ভাৰ্য্যাই থানৰ পোৰা ঘৰটিৰ ছাই ধুলিবিলাক ভেটিটিৰ ওপৰত গোটাই একেঠাই কৰি তাৰ ওপৰত চৈ দি, তাতে বন্তি এগছ জ্বলাই বুঢ়ী ভকতনী সকলেৰে সৈতে তিনি প্ৰসঙ্গ কৰি থাকিবলৈ ধৰিলে।

হাজাৰী-ঘোষা শাস্ত্ৰখন বৰপেটা থানত আছিল। ৰঙিয়াল ঘৰটি পোৰা শুনি মাধৱদেৱে ভাবিলে যে তেওঁৰ ঘোষা শাস্ত্ৰখনিও পুৰিলে। সেই নিমিত্তে তেওঁ আকৌ নতুনকৈ ঘোষাশাস্ত্ৰখনি কৰিলে। সেইদেখি ঘোষা পুথিৰ কোনো কোনো ঠাইত দুটি এটি ঘোষাৰ অলপ বিভিন্নতা দেখা যায়।

মথুৰাদাস আতা তেওঁৰ ওঠৰ পালীৰে সৈতে বাটত হৰি কীৰ্ত্তন কৰি কৰি যাবলৈ ধৰিলে। বাটত গাৱঁৰ লোকে তেওঁলোকৰ কীৰ্ত্তন শুনি পৰম তৃপিতি লভে। এইদৰে গৈ কিছুদিনৰ মূৰত তেওঁলোকে ভেলাদুৱাৰ পাই, টোৰোচা নদীত স্নান কৰি নৈৰ পাৰতে তিতা কাপোৰ শুকাই লৈ, হৰিধ্বনি হৰিকীৰ্ত্তন কৰি গুৰুজনৰ থানৰ ফালে আহিবলৈ ধৰিলে। ভাটীবেলা প্ৰসঙ্গৰ অন্তত মাধৱদেৱে কথা-সুখত বহি আনন্দমনে কৃষ্ণ গুণ যশ শ্ৰৱণ কীৰ্ত্তন কৰি আছে, এনেতে দূৰৈত সেই হৰিকীৰ্ত্তনৰ ৰোল শুনি তেওঁ কলে "সেয়া ঢেকেৰাৰ স্বৰ শুনিছোঁ, কামৰূপৰপৰা মথুৰাদাস আহিল নে কি? যদুমণি তুমি বেগেতে উঠি যোৱা চোৱাগৈচোন।" এনেতে বুঢ়া আতাই তেওঁৰ ওঠৰ পালীৰে সৈতে আহি গুৰুজনৰ চৰণ বন্দনা কৰিলে। মাধৱদেৱে লৰালৰিকৈ যদুমণি ভঁৰাল আতৈৰ হতুৱাই গুৱা পাণৰ ঠগি অনাই, বৰপেটা থানৰ সেৱকসকলৰ আৰু সখি নাৰায়ণ ঠাকুৰ আদি সকলো ভক্তৰ বাৰ্ত্তা সুধিলে। বুঢ়া আতাই সকলোৰে কুশল বাৰ্ত্তা কৈ শেহত, বৰপেটা থানৰ ৰঙিয়াল ঘৰ পুৰি যোৱাৰ বাৰ্ত্তা কলত সকলো সেৱক বিমন হৈ পৰিল। মাধৱদেৱে বুঢ়া আতাক সুধিলে, থানত বন্তিগছি জ্বলি আছে নে? আতাই কলে "বাপ, ঘৰটি পোৰাৰ পিছত শ্ৰীচৰণৰ দাসীয়ে ভেটিটিৰ ওপৰতে ছাইসোপা গোটাই তাৰ ওপৰত চৈ দি তাতে বন্তি এগছ জ্বলাই বুঢ়ীসকলেৰে সৈতে তিনি প্ৰসঙ্গ কৰি আছে।" এই কথা শুনি মাধৱদেৱে পৰম আনন্দিত হৈ মথুৰাদাস আতাৰ স্ত্ৰীক প্ৰশংসা কৰিবলৈ ধৰিলে।

---

(১) নাম-মালিকা পুথিৰ সম্পৰ্কে দৈত্যাৰি ঠাকুৰ বিৰচিত ছপা পুথিত আছে—
"বীৰকায়্যী এক দিন, পাই পুথি একখানি, তাৰ নাম নাম-মালিকা।
এক ব্ৰাহ্মণক আৰ, এক কায়স্থক বোলে, আৰ পদ কৰি দুয়ো লেখা॥
মাধৱদেৱকো বোলে, তুমিও কৰিও পদ, হেন শুনি তিনিও গৈলন্ত।
পৰম যতন মনে, পাছে তাৰা তিনিজনে, পদ কৰিবাক লাগিলন্ত॥
কৰিলা মাধৱদেৱে, এক পক্ষে পদ সাঙ্গ, তিনি মাসে কায়স্থে কৰিল।
ব্ৰাহ্মণে কৰিলা পদ ছয় মাসে সাঙ্গ ভৈল, বিৰূপাক্ষ কাজীয়ে দেখিল॥
চাহিলা তিনিও খান, পুৰ্ব্বাপৰ কৰি মন, সিতো দুই খানক এড়িল।
নিৰ্দ্দোষ সুপদ, শুদ্ধ, সুৰস দেখিয়া দেৱ, মাধৱৰ খনক ৰাখিল॥
মনত সন্তোষে আতি, বুলিলেক পাছে মাতি, পোৱাতীসে জানিবা নিশ্চয়।
কেচুৱা কোলে লৈবে জানে, নজানয় জনা আনে, আতে এহি দৃষ্টান্ত হোৱয়॥
এহিমতে মাধৱক, প্ৰশংসিলা বহুতৰ, বিৰু কাযাঁ মহা তুষ্ট মনে।
নাম-মালিকাৰ পদ, কৰিলা মাধৱদেৱে, জানা বীৰকায়্যীৰ বচনে॥"

মথুৰাদাস মাধৱদেৱৰ পাশত কিছুদিন থকাৰ পিছত মাধৱদেৱে তেওঁক কলে "মথুৰাদাস, তুমি বৰপেটালৈ উভতি যোৱাঁ, পোৱা ভেটিত আকৌ বস্তিৰ প্ৰকাশ কৰাগৈ।" মথুৰাদাসে বিনীত ভাৱে কলে "বাপ, আপোনাৰ পাশত থাকিম বুলিহে অহা হৈছে। বৰপেটাত আৰু কি আছে যে এই দাস তালৈ উভতি যাব। আপুনি গুচি আহিল, তাত আৰু কোনে কি দিব যে বস্তি জ্বলিব?" এই কথা শুনি মাধৱদেৱে যদুমণি আতৈক কলে "যদুমণি, তুমি ভাণ্ডাৰৰ পৰা দুখনি বস্ত্ৰ আৰু দুটি টকা আনা।" যদুমণিয়ে টকা আৰু বস্ত্ৰ আনি তেওঁৰ আগত দিলত, মাধৱদেৱে বুঢ়া আতাক ওচৰ চাপি আহিবলৈ কলে। বুঢ়াআতাই ওচৰ চাপি আহি মাধৱদেৱক প্ৰণাম কৰিলত, মাধৱদেৱে পাঁচ বৰণীয়া মালা তেওঁৰ মূৰত দি আৰু দোপাতি কাপোৰ দি আশীৰ্ব্বাদ কৰি কলে "মথুৰাদাস, তোমাক আজিৰ পৰা বৰপেটা থানৰ অধিকাৰ পাতিলোঁ। এই দুটি টকা তোমাক মই কৰ দিলো; সকলো সেৱকে এই কথা শুনি তোমাক কৰ দিব। বৰপেটা থান মোৰ মথুৰানগৰ; তাৰ তোমাক মই যুৱৰাজ পাতিলোঁ। শুনা মথুৰাদাস, তোমাক কওঁ—পৰ্ব্বকুণ্ডৰপৰা বৰ নদীলৈকে সীমা কৰি এই ঠাই-ডোখৰ এজন শ্ৰেষ্ঠ পুৰুষৰ নিমিত্তে থলোঁ। বৰ-নদীৰপৰা সোণকোঁহলৈকে এই ডোখৰ মাজৰ ৰাজ্য তোমাক দিলোঁ। সোণকোঁহৰপৰা কৰতোয়া নদীলৈকে এই ডোখৰ মই বুঢ়াগোটৰ নিমিত্তে ৰাখিলোঁ। এইদৰে এই তিনি ৰাজ্য বিভাগ কৰিলোঁ।" এই কথাৰ পিছত মাধৱদেৱে মথুৰাদাস আতাক ঘোষা কীৰ্ত্তন কৰিবলৈ আজ্ঞা দিলত, মথুৰাদাসে ওঠৰ পালীৰে সৈতে ঘোষা কীৰ্ত্তন কৰিলে। সেই কীৰ্ত্তনত বুঢ়া আতাই তিনিটি নতুন ঘোষা যোগ দি গোৱা শুনি মাধদেৱে তেওঁক শুধিলে যে "এই তিনিটি সুন্দৰ ঘোষা মই কৰা মনত নপৰে।" মথুৰাদাসে কলে "বাপ, এই তিনিটি মোৰ ৰচনা। আপোনাক উদ্দেশ্য কৰি কৰা হৈছে। এতেকে বাপ, আপুনি প্ৰসন্ন হৈ দাসৰ প্ৰতি কৃপা কৰক।" ঘোষা তিনিটি—

ৰামচন্দ্ৰ স্বৰ্গে চলি গৈলা।
অযোধ্যা নগৰী শূন্য ভৈলা॥
মাধৱক দৰশন পাইলোঁ।
আনন্দ কৰি হৰি গুণ গাইলোঁ॥
মাধৱ বান্ধৱ দেৱ হৰি।
কৰা কৃপা দোষ ক্ষমা কৰি॥

এই কথা শুনি মাধৱদেৱে বুঢ়া আতাক প্ৰশংসা কৰি ঘোষা তিনিটি নিজৰ ঘোষাৰ অন্তৰ্গত কৰি ললে। ইয়াৰ পিছত তেওঁ আতাক বিদায় দি বৰপেটালৈ পঠিয়াই দিলে। বুঢ়া আতা বৰপেটালৈ উভতি অহা বাতৰি শুনি নাৰায়ণ ঠাকুৰ, ভৱানীপুৰীয়া গোপাল আতা, বৰবিষ্ণু আতা আদি সকলো আহি গুৰুজনৰ বাৰ্ত্তা পুছি সকলো জানি আনন্দ মনেৰে ঘৰাঘৰি গল। ইয়াৰ পিছত বুঢ়া আতাই সেৱক-সকলক জ্ঞান দি আনি বৰপেটাৰ কীৰ্ত্তনঘৰ মণিকূট হাটীবাটী আদি আকৌ নতুনকৈ সজোৱাই থানৰ বস্তি জ্বলাই ৰাখি নাম-প্ৰসঙ্গ কৰি থাকিবলৈ ধৰিলে।

এদিন আইৰৈয়ে কিছুমান কাপোৰ গুৰুজনালৈ পঠিয়াই দি কোৱাই পঠিয়ালে যে সৰু বৰ অনুসাৰে সৰু বৰ ভকতসকলক যেন কাপোৰবোৰ বিলাই দিয়া হয়। এই কথা শুনি মাধৱদেৱে ক্ৰোধ কৰি কাপোৰবোৰ ওভোতাই দি আইধাইক কোৱালে যে "কোন ভকত সৰু, কোন ভকত বৰ, মই নাজানো। কোচৰ কুচুনী বুঢ়ীয়ে জানে যদি নিজে আহি সেই দৰে ভাগ বাটি দিয়কহি।" এই কথা শুনি আইধাইৰ মুখৰ মাত হৰিল; তেওঁ লৰালৰিকৈ কাপোৰবোৰ আকৌ লৈ আহি গুৰুজনৰ চৰণত পৰি কাকুতি কৰি ক্ষমা প্ৰাৰ্থনা কৰিলত, গুৰুজনেও ক্ষমা কৰি তেতিয়া ভকতসকলৰ কাপোৰবোৰ বটোৱাই দিয়ালে।

প্ৰসঙ্গৰ অন্তত ভকতসকলে বহালৈ গৈ পৰস্পৰ কৃষ্ণ কথা আলাপ নকৰি আন কথা-বতৰা পাতি থাকে দেখি এদিন মাধৱদেৱে যদুমণি ভৰালী আতৈক ভকতৰ হাটীলৈ পঠিয়াই দি কোৱালে যে ভকতসকলে দুজন দুজন হৈ যেন প্ৰীতি-সুখত বহি কৃষ্ণ কথা আলাপ কৰি থাকে, আন কথাত সময় নিনিয়ায়। সেই আদেশ শুনি ভকতসকলে সেই দিনাৰেপৰা তেনে কৰিবলৈ ধৰিলে।

এদিন ভকতসকলে মাধৱদেৱক শুধিলে "বাপ, জীৱন্মুক্ত ভক্ত আজিকালি আছে নে?" মাধৱদেৱে উত্তৰ দিলে "তোমালোকৰ লগত আছে" এই বুলি তেওঁ শ্ৰীৰাম আতাৰ ফালে চালত শ্ৰীৰাম আতাই কাতুৰ্ব্বাদ কৰি গুৰুক জনালে "বাপ, দুখ নিদিব।" এই কথা শুনি গুৰুজন নিৰুত্তৰ হৈ থাকিল।

এদিন সকলো ভকতে একত্ৰ হৈ মাধৱদেৱক প্ৰাৰ্থনা কৰি শুধিলে "বাপ, আবিৰ্ভাৱ তিৰোভাৱ ঈশ্বৰৰো আছে; এতেকে আপোনাৰ পিছত ধৰ্ম্মৰ গুৰু ভাৱ কোনে লব?" এই প্ৰশ্ন শুনি মাধৱদেৱে নামাতি থাকিল। তিন দিনৰ মূৰত ভকতসকলক কলে "বৃদ্ধাঙ্গুষ্ঠিৰে যি পৃথিৱীখন ধৰিব পাৰিব সিহে ধৰ্ম্মৰ এই গুৰুভাৱ লব পাৰিব। যাক যি কালত এই ভাৱ অৰ্পণ কৰা হব, সেইজন পুৰুষ সেই কালত আপুনি ব্যক্ত হব। (২) জগতৰ ঈশ্বৰ প্ৰকৃত গুৰু ৰূপে প্ৰকাশ হয়; তেওঁক সেৱা কৰি জীৱই সংসাৰ তৰে। বিশেষত, গুৰুসেৱা পৰম দুৰ্লভ কাৰ্য্যক কোনে

সহজে সুলভ কৰিব পাৰে ? পূৰ্ব্বত মাৰ্কণ্ডেয় ঋষিয়ে গুৰুসেৱা কৰিছিল। প্ৰহলাদেও আনন্দ-মনেৰে গুৰুসেৱা কৰিছিল। লক্ষণ আৰু হনুমন্তইও গুৰুসেৱা কৰিলে। আমিও অলপ-অচৰপ গুৰুসেৱা কৰিছোঁ।"

এদিন উৰ্ব্বশীয়ে ৰামচৰণ ঠাকুৰক মাধৱদেৱৰ সুখ দুখৰ বাতৰি লবলৈ বেহাৰলৈ পাচিলত, ৰামচৰণে ৮ দিন মানৰ মূৰত মোমায়েকৰ ওচৰ পালেগৈ। মাধৱদেৱে তেওঁক সকলো বাৰ্ত্তা শুধি পুছি, নগতে কিছুদিন ৰাখি আকৌ পঠিয়াই দিলে ; আৰু কীৰ্ত্তন পুথিখন গোটাই আনিবলৈ পুনৰ্ব্বাৰ কলে। ৰামচৰণে ঘৰ পাই পিতৃ মাতৃৰ আগত মাধৱদেৱৰ সকলো বাতৰি কৈ তাৰ পিছত ঠায়ে ঠায়ে গৈ বিচাৰি কীৰ্ত্তনঘোষা পুথিখন একেঠাই কৰিলে।

নাৰায়ণ ঠাকুৰে পুতেক পৰমানন্দক মাধৱদেৱৰ বাৰ্ত্তা লবলৈ পঠিয়াই দিলে। পৰমানন্দই আহি উপস্থিত হৈ প্ৰণাম কৰিলত, মাধৱদেৱে তেওঁক জনে জনে সকলো ভকতৰ নাম কাঢ়ি বাৰ্ত্তা পুছি সকলো বাৰ্ত্তা শুনি সন্তোষ পালে। মাধৱদেৱে বিশেষকৈ সখিয়েকৰ বাৰ্ত্তা পুছিলত, পৰমানন্দই কলে "বাপ, আপুনি অহাৰ দিনৰ পৰা পিতৃদেৱ মৰণান্তিক হৈ বিষাদ মনেৰে থাকে। পিতাই কাৰ মুখে আপোনাৰ বাৰ্ত্তা পাব তাকেহে চিন্তি থাকে ; এতিয়া মোক বাৰ্ত্তা লবলৈ পঠিয়াই দি বাটলৈ চাই আছে।" এই কথা শুনি মাধৱদেৱ সলোতক হৈ কিছুমান বেলি মৌন হৈ থাকিল। পৰমানন্দক মাধৱদেৱে কিছু দিন ৰাখি খুৱাই-বুৱাই তেওঁৰ বৃদ্ধ পিতা-মাতাৰ ওচৰলৈ পঠিয়াই দিলে। ঠাকুৰ আতাই পুতেকক উভতি অহা দেখি ঠগি আগবঢ়াই মাধৱদেৱৰ আৰু সকলো সেৱকৰে সৈতে থানৰ বাৰ্ত্তা শুধি শুনি পৰম সন্তোষ পালে।

নিষ্কাম মহাপুৰুষীয়া ধৰ্ম্মৰ ওপৰত কৰ্ম্মী ব্ৰাহ্মণৰ বিদ্বেষ সদায়। শঙ্কৰদেৱৰ গোটেইটো সুদীৰ্ঘ জীৱন তেওঁলোকৰ বিদ্বেষ বাণত জৰ্জ্জৰিত হৈছিল ; মাধৱদেৱৰো দীৰ্ঘ জীৱন সেইদৰে জলা-কলা। আশ্চৰ্য্যৰ বিষয় এই হে যে এতিয়াও এই কুৰি শতিকাৰ উদাৰ পাশ্চাত্য সভ্যতা আৰু বিজ্ঞানৰ দিনতো মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰতি উদ্‌গীৰিত সেই বিদ্বেষ-বিষৰ জুইন মৰা নাই।

বেহাৰ ৰাজ্যৰ ব্ৰাহ্মণসকলে ৰজা লক্ষ্মীনাৰয়ণক পুৰণি খল লগালে যে মাধৱে আৰু তেওঁৰ ভকতবোৰে পিতৃ-শ্ৰাদ্ধ মাতৃ-শ্ৰাদ্ধ নকৰে, এতেকে তেওঁলোক অনাচাৰী। ৰজাই এই অভিযোগ শুনি মন্ত্ৰীসকলক সেইটো সঁচা নে মিছা পৰীক্ষা কৰিবলৈ কলে। ৰজাঘৰৰ এই খবৰ মাধৱদেৱৰ কাণত পৰিল, তেওঁ বিধিনিৰ আশঙ্কা কৰি সকলো ভকতক সাৱধানে থাকি চলিবলৈ কলে, আৰু শ্ৰাদ্ধ কৰিবলৈ কলে। ভকতসকলক তেওঁ আৰু কৈ দিলে যে "তোমালোকে বস্তু কিনিবলৈ ৰজাবলৈ গলে পোহাৰীয়ে যি বস্তুৰ যি মূল্যকে বোলে তাকে দি লৈ আহিবা, পোহাৰীৰ মুখৰ ফালে দৃষ্টি নকৰিবা। ওলাওঁতে সোমাওঁতে সকলো কাৰ্য্যতে তোমালোক সাৱধান হৈ চলিবা। যেতিয়া-লৈকে আমাৰ ওপৰত ৰজাৰ প্ৰত্যয় নহয়, তেতিয়া-লৈকে খুব সাৱহিত হৈ থাকিবা।" গুৰুজনৰ আজ্ঞা শিৰত ধৰি ভকতসকলে সেইদিনাৰ পৰা খুব সাৱধানে চলিবলৈ ধৰিলে ; আৰু বাৎসৰিক শ্ৰাদ্ধ কৰিবলৈ ধৰিলে। শ্ৰীৰাম আতাই শ্ৰাদ্ধ নকৰা দেখি ভকত-সকলে মাধৱদেৱক সেই কথা কলত, মাধৱদেৱে শ্ৰীৰামক মতাই আনি কলে "শ্ৰীৰাম তুমিও শৰাধ-বিধি কৰিব লাগিব।" গুৰুৰ আজ্ঞা মানি শ্ৰীৰামে শৰাধ পাতিলে। ৰামৰাম গুৰু পুৰোহিত হল। শ্ৰীৰাম নতুন বস্ত্ৰ পৰিধান কৰি শৰাধত বহিল। ৰামৰাম গুৰুৱে শ্ৰাদ্ধৰ মন্ত্ৰ শ্ৰীৰামক মতাবলৈ ধৰিলে,— "বিষ্ণু বিষ্ণু মাধৱ মাধৱো জয় যজ্ঞেশ্বৰো হৰি।" মন্ত্ৰ মাতি থাকোতেই শ্ৰীৰাম প্ৰেমত মজিল। "অ মোৰ মাধৱ বান্ধৱো এই শৰাধতে আছে। হায় হায় মই কি অকৰ্ম্ম কৰিছিলোঁ। এনে শৰাধ কিয় মই আগেয়ে কৰা নাছিলোঁ।" এই বুলি তেওঁ প্ৰেম-ভৰত ক্ৰন্দন কৰি বাগৰি ফুৰিবলৈ ধৰিলে। শৰাধৰ দ্ৰব্যবস্তুৰে সৈতে খোল পটুৱা দুৰ্ব্বা ফুল তুলসী ইত্যাদি সকলোবোৰ জোল হল। ৰামৰাম গুৰুৱে শৰাধটো এইদৰে সাং হোৱা দেখি উঠি আহি মাধৱ-দেৱক সেই কথা জনালত মাধৱদেৱে শ্ৰীৰামক মতাই

(২) "ৰাঁহীত" ছপা হোৱা গুৰুচৰিত্ৰ পুথিত আছে—"তিনি কুৰি ভকত একত্ৰ হৈ এদিন শ্ৰীমাধৱদেৱত জনাইছে" আৱিৰ্ভাৱ তিৰোভাৱ ঈশ্বৰৰো আছে ; অতএৱ আপোনাৰ লীলা সম্বৰণ হ'লে কাক আশ্ৰয় কৰা হ'ব।" একো উত্তৰ নিদিলে। দুনাই সুধিবৰ নিমিত্তে কোনোৱে সাহস নকৰিলে। গুৰুঈশ্বৰে তিনি দিন মনে মনে ভাবি কোনো এজনও ভকতক বিশেষ উপযুক্ত যেন নেদেখি সেৱক সকলক জনাইছে, আমি ধৰ্ম্ম থাপিবৰ লোক নিৰ্ণয় কৰিব নোৱাৰিলোঁ, আপোনাসকলে এজন লোক ঠিকনা কৰি দিলে তেওঁকে আজ্ঞা কৰিব পৰা যায়। ভকতে জনাইছে, আপুনি বিচাৰি নিদিলে আমালোকে কেনেকৈ বিচাৰি দিম। মাধৱে কৈছে, সকলো লুভিয়া, অতএৱ ঘোষা শাস্ত্ৰখনিতে সকলো বস্তু থোৱা হৈছে ; আমাৰ স্বৰূপ আছে ; বিজন লোকে এই গ্ৰন্থখনিৰ অৰ্থ বিচাৰিব সেইজনে আমাক পাব। সকলো বল বীৰ্য্য এই ঘোষাতে আছে। গুৰুৰ লক্ষণযুক্ত পোৱা টান।। শিষ্যৰ লক্ষণ থকাহলেও হলহেঁতেন। কোনো জনত নাই। বিশেষক গুৰু সেৱাকাৰি ভকতো নাই। পূৰ্ব্বে মাৰ্কেণ্ডেয় ঋষি লক্ষ্মণে আৰু প্ৰহলাদে গুৰু সেৱা কৰিছিল ; আমিও কিছু কৰা হৈছে। যেই সেই লোকে গুৰুভাৱ লোৱা টান ; এতেকে আমি কাকো বুলিব নোৱাৰিলোঁ।"

নিয়াই, তেনেকৈ শ্ৰাদ্ধ বিসঙ্গতি তেওঁ কিয় কৰিলে বুলি সুধিলত, শ্ৰীৰামে কলে "বাপ, শ্ৰাদ্ধত মই আপোনাক পালোঁ ; পাই মনত বৰ শোক লাগিল যে ইয়াৰ আগেয়ে অতকাল মই অধমে এনে শ্ৰাদ্ধ কিয় কৰা নাছিলোঁ ! বাপ, এনেকৈ মোৰ মনলৈ ভাব আহিলতে শ্ৰাদ্ধ বিসঙ্গতি ঘটিল, মই দুৰ্ভগীয়াই শ্ৰাদ্ধটো কৰিবলৈ নাপালোঁ। বাপ চৰণত পৰি কাকুতি কৰিছোঁ, দাসৰ অপৰাধ মৰিষণ কৰক।" এই কথা শুনি মাধৱদেৱে ভকতসকলক কলে, "শ্ৰীৰামে শ্ৰাদ্ধ নকৰাকৈয়ে শ্ৰাদ্ধৰ ফল লাভ কৰিলে। শ্ৰীৰাম পৰম বিৰক্ত ভক্ত, ব্ৰহ্মময়। নুবুজিহে তেওঁক তোমালোকে শ্ৰাদ্ধ কৰিবলৈ কৈছিলাহঁক।"

কীৰ্ত্তনঘৰত প্ৰসঙ্গত পাঠকে পুথিৰ পাঠ পঢ়ে ; হৰিহৰ আতাই আন ভকতসকলেৰে সৈতে শুনি থাকে। কিন্তু প্ৰত্যেক পাঠতে হৰিহৰে অশুদ্ধ ধৰে দেখি এদিন পাঠকে মাধৱদেৱক কলে "বাপ, হৰিহৰৰ নিমিত্তে পাঠ পঢ়িব নোৱাৰি, পাঠৰ মাজতে অশুদ্ধ ধৰি আমনি কৰি থাকে।" পাঠকৰ এই কথা শুনি মাধৱদেৱে হৰিহৰক কলে "তুমি ভকতসকলৰ পিচৰ শাৰীত বহি পাঠ পঢ়া শুনিবা।" সেইদিনাৰ পৰা হৰিহৰে সেই দৰে ভকতৰ পিচত বহে হয়, কিন্তু থাকিব নোৱাৰে, তাৰেপৰা পাঠত খুত ধৰে। পাঠকে আমনি পাই সেই কথা আকৌ মাধৱদেৱক জনালত, মাধৱদেৱে হৰিহৰক নামঘৰৰ পিৰালিত বহি পাঠ শুনিবলৈ আজ্ঞা কৰিলে। কিন্তু তেওঁ পিৰালিৰ-পৰাই পাঠৰ সময়ত উচ্‌পিচাই উঃ আঃ কৰি পাঠৰ বিঘিনি কৰে। আকৌ ভকতসকলে এই কথা মাধৱদেৱক কলত, মাধৱদেৱে হৰিহৰ আতাক কলে তুমি কীৰ্ত্তন ঘৰৰ বাহিৰত থাকি পাঠ শ্ৰৱণ কৰিবা। এই আজ্ঞা শুনি হৰিহৰে নিজৰ দ্ৰব্য বস্তু লৈ মবিচবাৰীত ঘৰ সাজি থাকিল। হৰিহৰে যাবৰ সময়ত ভকতসকলে খেদ কৰিবলৈ ধৰিলে আৰু মাধৱদেৱে এই গীতটি ৰচনা কৰি গালে,—

"হৰিহৰ ৰে বাপ পশিলোঁ শৰণে।
নেৰিবা বান্ধৱ মোক জীৱনে মৰণে ॥
সনক সনন্দ যোগী যাহাক ধিয়ায়।
সকল নিগমে যাক বিচাৰি নাপায় ॥
সহস্ৰ বয়নে যাৰ নাপাৱন্ত সীমা।
অধমে জানিবোঁ কেনে তোমাৰ মহিমা ॥
আতুৰ ভৈলোঁহো মই বিষয় বিকলে।
কৰিও উদ্ধাৰ হৰি চৰণ কমলে ॥
তোমাৰ চৰণ দুই মোৰ মহা ধন।
ভকতজনৰ নিজ তুমিসে জীৱন ॥
কৃপাৰ সাগৰ কৃপা কৰা একবাৰ।
কাতৰ কৰিয়া লৈলোঁ শৰণ তোমাৰ ॥
কৃপা কৰা নাৰায়ণ ছোড় মোহ পাশ।
কহয় মাধৱ হৰি দাসকুদাস ॥"

হৰিহৰ আতাই মবিচবাৰীত কিছুদিন থাকি, তাৰপৰা জিকাপুলি নামে ঠাইলৈ গল। তাৰপৰা তেওঁ গৈ এটাৰ পিছত এটাকৈ নাগৰখানা, কুজৰৰ, বেখাই, পদ্মপাণি, এইবোৰ ভেটিত থাকি, তাৰ পিছত কানাই সতৰীয়াৰ ঘৰৰ ওচৰত ঘৰ কৰি বল। কানাই সতৰীয়াৰ এটী সুচৰিত্ৰা কন্যা আছিল। কন্যাটী মাজে-সময়ে আতাৰ গৃহলৈ আহে। এদিন হৰিহৰ আতাই কন্যাটীক কলে "তোমাক মই বিবাহ কৰাম।" এই কথা শুনি কন্যাটীয়ে গৈ মাকক কলে যে তেওঁ আৰু আতাৰ ঘৰলৈ নাযায়, কাৰণ আতাই তেওঁক অন্যায় কথা কয়। মাকে জীয়েকক কলে, "আই, তই বিমন নহবি ; এই বাৰো যদি তেওঁ তোক তেনে কথা কয়, তেন্তে তই তেওঁক বিয়া সোমাবি বুলি স্বীকাৰ কৰিবি।" ইয়াৰ পিছত হৰিহৰ আতাৰে সৈতে কন্যাটীৰ বিবাহ হল। হৰিহৰে শহুৰেক কানাই সতৰীয়াৰ পৰা মাটি এডোখৰ খুজি লৈ তাতে সুন্দৰকৈ ঘৰ-বাৰী সাজি থাকিল। হৰিহৰ আতাই শোৱাচাঙতে বহি তাতে চপৰিয়াই বাদ্য বজাই তেওঁৰ ভাৰ্য্যাক নাচিবলৈ কৈ নচুৱায়। এই কথা ভু পাই সেৱকসকলে মাধৱদেৱক জনালত, মাধৱদেৱে কলে "হৰিহৰে মায়াক নচুৱায়। গুণৱতী মায়াই সকলোকে নচুৱায়, সেই মায়াকে হৰিহৰে নচুৱাব লাগিছে।" চতৰ বিহুৰ সময় আহিল। হৰিহৰ আতাৰ ভাৰ্য্যাক তেওঁৰ পিতা-মাতাই নিজৰ ঘৰলৈ আনিব খুজিলত, হৰিহৰে ভাৰ্য্যাক বাপেক, মাকৰ ঘৰত পকান্ন সিদ্ধান্ন খাবলৈ নিষেধ কৰি পঠিয়ালে। তেওঁ নেখাওঁ বুলি প্ৰতিজ্ঞা কৰি মাক-বাপেকৰ ঘৰলৈ গল। কিন্তু মাকে বৰকৈ বেপি বেপি ধৰিলত তেওঁ এবাৰ নোৱাৰি পিঠা এখনৰ এডোখৰ মুখত দিলে। ঠিক তেনে সময়তে হৰিহৰে আহি বাহিৰৰ পৰা ভাৰ্য্যাক কলে "তই মোৰ বাক্য নামানিলি। পৰৱশ হৈ ভজা পিঠা খালি। এতেকে তই ইয়াতে থাক, আৰু তোক মোক নালাগে।" এই কথা কৈয়ে হৰিহৰ গুচি আহিল। মাক-বাপেক আৰু ভাৰ্য্যাই কত বিনয় কৰিলে, কত প্ৰাৰ্থনা কৰিলে, তথাপি হৰিহৰে নুশুনি ভাৰ্য্যাৰ অলঙ্কাৰ কাপোৰ আদি সকলো বস্তু বাপেক-মাকক ওভোতাই দি, তেতিয়াই সেই ঘৰ বাৰী আৰু ভাৰ্য্যাক পৰিহাৰ কৰি গুচি গল। এই কথা মাধৱদেৱে শুনি কলে "যেয়ে সেয়ে হৰিহৰৰ নিচিনাকৈ নৰ নাৰী নৰ বাৰী এৰিব নোৱাৰে।" হৰিহৰে ঘৰবাৰী ভাৰ্য্যা কুটুম্ব পৰিত্যাগ কৰি বালকসকলেৰে সৈতে হৰিনাম গাই ঘূৰি ফুৰিবলৈ ধৰিলে।

হৰিদাস বণিয়া শ্ৰীশঙ্কৰদেৱৰ শিষ্য। এদিন ভকতসকলে মাধৱদেৱক কলে "হৰিদাসৰ মতি গতি বৰ ভাল নহয়, তেওঁ আপোনাক বিশেষ সমাদৰ আৰু ভকতি নকৰে।" মাধৱদেৱে হৰিদাসক বেছকৈ জানে দেখি সেই কথাত প্ৰত্যয় নকৰিলে। তথাপি

ভকতসকলে সেই কথা কেইবাবাৰো কোৱা দেখি তেওঁ তেওঁলোকৰ কথা যে ভুল তাৰ প্ৰমাণ দেখুৱাবলৈ হৰিদাস বণিয়াক কলে "হৰিদাস, তোমাৰ দ্ৰব্য বস্তু সকলো আমাত সমৰ্পণ কৰাঁ।" তেওঁ উত্তৰ দিলে "বাপ, মোক মোৰ গৃহলৈ যাবলৈ অনুমতি কৰক, এতিয়াই মই সকলো আনি দিম।" এই বুলি বণিয়াই সেই কথা তেওঁৰ গৃহিণীক কলত গৃহিণীয়ে বোলে "আমাৰ কি সৌভাগ্য উদয় হল, গুৰু ঈশ্বৰে আমাৰ যথাসৰ্ব্বস্ব গ্ৰহণ কৰিব খুজিছে; বিলম্ব নকৰি তুমি এতিয়াই সকলো ধন বস্তু লৈ গৈ সেৱকেৰে সৈতে গুৰুজনৰ চৰণত সমৰ্পণ কৰাঁ গৈ।" গৃহিণীৰ এই কথা শুনি বণিয়াই সন্তোষিত মনেৰে তেতিয়াই তেওঁৰ দ্ৰব্য বস্তুবোৰ গাড়ীত তুলি লৈ গৈ মাধৱদেৱৰ আগত দম কৰিলেগৈ। সকলো সেৱকে দেখি আশ্চৰ্য্যান্বিত হল। তেতিয়া মাধৱদেৱে ভকতসকলক কলে "তোমালোকে এতিয়া হৰিদাসৰ ভকতি বুজিলা নে?" ইয়াৰ পিছত হৰিদাসে গুৰুজনৰ চৰণত পৰি প্ৰাৰ্থনা কৰি কলে "বাপ, আজিহে মোৰ ধন উপাৰ্জ্জনৰ সাফল হল। নিজ দাসৰ দ্ৰব্যবস্তুবোৰ ৰাখক, মোৰ কোটা কোটী পুৰুষ উদ্ধাৰ হওক।" এই কথা শুনি মাধৱদেৱে পৰম সন্তোষ লভি, দ্ৰব্যবোৰৰ ওপৰত চকু ফুৰাই হাত দি কলে, "হৰিদাস, তুমিয়ে সৈতে সকলো ধন দ্ৰব্য আমাৰ। এতেকে তুমি ধন দ্ৰব্যবোৰ নিজৰ ঘৰলৈ লৈ যোৱা। তোমাৰ প্ৰাৰ্থনা ৰাখিলোঁ, তুমি মাথোন এশটকা ভকতসকলৰ মাজত বিলাই দিয়াঁ।" হৰিদাসে গুৰুৰ বাক্য মতে কাৰ্য্য কৰি দ্ৰব্য ধন বস্তুবোৰ লৈ নিজৰ ঘৰলৈ গল।

এদিন কেশৱ হাজাৰা নামে সেৱক এজন আহি মাধৱদেৱক সেৱা কৰিলত, তেওঁক মাধৱদেৱে শুধিলে "হাজাৰা তুমি নাম লোৱাঁনে?" তেওঁ কলে "বাপ, লোৱা হয়।" মাধৱদেৱে শুধিলে "কেনেকৈ লোৱাঁ?" হাজাৰাই উত্তৰ দিলে, "আমি পুত্ৰ পৰিবাৰ সকলো মিলি নাম লওঁ।" আকৌ প্ৰশ্ন হল "তেওঁলোকক কি বুলি ভাবা?" হাজাৰাই উত্তৰ দিলে "আপোনাৰ জন বুলি মানো।" মাধৱদেৱে হাজাৰাক কলে "হাজাৰা, তুমি এতিয়াও নাম লব জনা নাই। এবছৰৰ মূৰত মোৰ ওচৰলৈ আহিবা।" এই আজ্ঞা শুনি হাজাৰা নিজৰ ঘৰলৈ উভতি গল। ঘৰলৈ আহি হাজাৰাই হৰি নাম প্ৰসঙ্গ কৰি থাকিল। ছমাহৰ মূৰত হাজাৰা আকৌ আহি মাধৱদেৱৰ পাশত ওলালত মাধৱদেৱে তেওঁক শুধিলে "হাজাৰা, তোমাক এবছৰৰ মূৰত হে আহিবলৈ কৈছিলোঁ, এতিয়া ছমাহতে ওলালাহি দেখোন?" হাজাৰাই মিনতি কৰি জনালে "বাপ, আপোনাৰ সঙ্গ এৰি থাকিব নোৱাৰোঁ। আপোনাৰ দুখানি চৰণে মোক মোৰ কেশত ধৰি টানি আনিলে।" মাধৱদেৱে শুধিলে "হাজাৰা তুমি কেনেকৈ নাম লৈছিলা?" হাজাৰাই কলে সকলো পৰিবাৰেৰে সৈতে।" মাধৱদেৱে শুধিলে, "তেওঁলোকক কি বুলি ভাবা?" হাজাৰা আতৈয়ে কলে "তেওঁলোকক তযু ভৃত্য বুলি ভাবোঁ।"

মাধৱদেৱৰ সেৱক বলোৰাম নামে এজন দৈৱজ্ঞ আছিল; তেওঁ বৰ ভালকৈ জ্যোতিষশাস্ত্ৰ জানিছিল। বলোৰামে ভকতসকলৰ হাত চাই, তেওঁলোক কেতিয়া মৰিব কয়; আৰু সেই কথা শুনি ভকতসকল বিমন হৈ থাকে। এই কথা মাধৱদেৱে শুনি এদিন বলোৰাম দৈৱজ্ঞক মতাই আনি কলে "বলোৰাম, তুমি লোকৰ মৰণৰ কথা কোৱা, কিন্তু তোমাৰ মৰণ কেতিয়া হব কোৱাঁচোন?" গুৰুৰ প্ৰশ্ন শুনি বলোৰামে উত্তৰ দিলে "বাপ, মই মৰিবলৈ তিনি পক্ষ তিনি দিন আছে। মৰি সাদিন বাহি শ হৈ থাকিম। এই কথা জানি আপোনাৰ ওচৰ চাপি আপোনাৰ অভয় পদত শৰণ ললোঁ।" বলোৰামৰ কথা শুনি মাধৱদেৱে তুষ্ট হৈ বলোৰামক কলে "তোমাৰ চাৰি দিন গুচালোঁ।" বলোৰাম দৈৱজ্ঞৰ বহা হাটীৰ মূৰত আছিল। তেওঁৰ মৃত্যুৰ তিনি দিনৰ পিছত হে লোকে শটো দেখি গুৰুজনক জনোৱাত গুৰুজনে সৎকাৰ কৰোৱালে।

এদিন আইধায়ে মাধৱদেৱক প্ৰাৰ্থনা কৰিলে যে তেওঁ ভকতসকলৰ পদধূলি লবৰ ইচ্ছা কৰিছে, এতেকে সকলো ভকতক যেন গুৰুজনে নিজৰ ঘৰলৈ পঠিয়াই দিয়ে। আইধাইৰ প্ৰাৰ্থনা শুনি মাধৱদেৱে ভকতসকলক যাবলৈ আজ্ঞা দিলত সকলো গ'ল, কিন্তু শ্ৰীৰাম আতা নগ'ল। শ্ৰীৰাম নোযোৱা দেখি আইধায়ে বেজাৰ কৰি গুৰুজনলৈ কৈ পঠিয়াত, মাধৱদেৱে শ্ৰীৰামক পাঁচি দিলে। গুৰু বাক্য শিৰোধাৰ্য্য কৰি শ্ৰীৰামে লাওটিত পানী ভৰাই লৈ গৈ দূৰতে ভৰি ধুই বহিলগৈ। শ্ৰীৰামৰ পদ-জল লবৰ আইধাইৰ অভিপ্ৰায় আছিল, কিন্তু শ্ৰীৰামে এনে কৰি সেইটো ব্যৰ্থ কৰিলত আইধায়ে বিষাদ কৰিলে। শ্ৰীৰামক আইধায়ে যি দ্ৰব্য বস্তু বস্ত্ৰ দিছিল শ্ৰীৰামে সেইবোৰ একো নচুই শুচি আহিল দেখি আইধায়ে খেদ কৰি আহি মাধৱদেৱক সেই কথা কলত মাধৱ-দেৱে তেওঁক কলে, "আপুনি খেদ নকৰিব, শ্ৰীৰাম পৰম নিৰাকাংক্ষী, একোতে শ্ৰীৰামৰ আকাংক্ষা লোভ, অথবা আশা নাই।"

পূৰ্ব্বে মাধৱদেৱে কৰা আজ্ঞামতে ৰামচৰণ ঠাকুৰে, ঠায়ে ঠায়ে ছোৱা ছোৱা হৈ থকা কীৰ্ত্তন-ঘোষা শাস্ত্ৰখন গোটাই একে ঠাই কৰি, মাধৱদেৱক দিবৰ নিমিত্তে বেহাৰলৈ যাত্ৰা কৰি গ'ল। ৰাম-চৰণে বাটত বিজয়পুৰত সোমাই ৰাওঁতে বিজয়পুৰৰ হৰিকৃষ্ণ আতৈয়ে চাবলৈ বুলি কীৰ্ত্তন পুথিখন খুজি দিনচেৰেকৰ নিমিত্তে ৰাখিলে। ৰামচৰণ

মাধৱদেৱৰ ওচৰ পালত, মাধৱদেৱে পৰম সন্তোষ পাই কামৰূপৰ সকলো সেৱকৰ বাৰ্ত্তা ৰামচৰণক শুধি, ৰামচৰণে কীৰ্ত্তন পুথিখন বিজয়পুৰত এৰি অহা শুনি, তেতিয়াই চাৰিজন ভকতক বিজয়পুৰলৈ পঠিয়াই দি পুথিখন অনালে। পুথিখন মাধৱদেৱে পাই, পূৰ্ব্বাপৰ সকলোখিনি চাই যেতিয়া দেখিলে যে যত যি থাকিব লাগে সেইদৰেই ৰামচৰণে তাক গোটাই ৰাখিছে, তেওঁ মহা আনন্দত ৰামচৰণক প্ৰশংসা কৰিবলৈ ধৰিলে। তেওঁ আকৌ শাস্ত্ৰখন এবাৰ চাই, ৰামচৰণক কলে "বাপু, পুথিখনিত সকলো আছে, কিন্তু ৰুক্মিণীদেৱীৰ প্ৰেমৰ কলহটি নাই।" ৰামচৰণে কলে "তাক মই বিচাৰি নাপালোঁ।" মাধৱদেৱে কলে "নাপাব পাৰা, সি যি ঠাইলৈ যাব লাগে গ'ল।" এই বুলি তেওঁ পুথিখন অতি ভক্তিভাৱে থোৱাই দিয়ালে।

ইয়াৰ পিচত এদিন মাধৱদেৱে ৰামচৰণক শুধিলে "বাপু, তুমি মোৰ লগত থাকিবৰ ইচ্ছা কৰা নে?" ৰামচৰণে কলে "মামা, মোৰ পিতৃ বৰ বুঢ়া হ'ল।" এই কথা শুনি মাধৱদেৱে হাঁহি ভাগিনিয়েকক কলে "তোমাৰ পিতৃ আৰু দহ বছৰ জীয়াই থাকিব। মোৰ লগত তুমি আঠ-দহ মাহ মাত্ৰ থাকিব লাগিব।" এই কথা শুনি ৰামচৰণ মোমায়েকৰ লগতে থাকিল।

বিৰূপাক্ষ কাজী আৰু আইধায়ে সদায় ৰজাৰ আগত মাধৱদেৱৰ গুণশীলৰ বিষয়ে কৈ থাকে। এদিন ৰজাই আদেশ কৰিলে যে তেওঁৰ ওচৰলৈ মাধৱদেৱ আহিব লাগে। ৰজাৰ আদেশ শুনি মাধৱদেৱে ৰজাক সাক্ষাৎ কৰিলত, ৰজাই সমাদৰ কৰি তেওঁক বহুৱাই শাস্ত্ৰৰ আলাপ কৰি মহা সন্তোষ পালে। ইয়াৰ পিছত ৰজাৰ আদেশ মতে মাধৱদেৱে পাঁচ দিন, সাত দিনৰ অন্তৰে অন্তৰে ৰজাৰ পাশলৈ যাবলৈ ধৰিলে।

এইদৰে কিছুদিন যোৱাৰ পিছত এদিন এটা দুৰ্ঘটনা ঘটিল। বিৰূপাক্ষৰ দুজন পুতেক মাধৱদেৱৰ ওচৰত শৰণ লৈ ধৰ্ম্মক ধৰিলে। এদিন বিৰূপাক্ষই ভাত খাওঁতে, তেওঁৰ পুতেক দুটিক ওচৰতে বহি ভাত খাবলৈ মাতিলত, পুতেকহঁতে বাপেকক কলে "পিতৃ, আমি তোমাৰ ওচৰত ভাত খাব নোৱাৰোঁ; আমি মাধৱদেৱৰ ধৰ্ম্মক ধৰিছোঁ, তুমি ধৰা নাই।" এই কথা শুনি বিৰূপাক্ষ খঙত জ্বলি উঠিল। তেওঁ কলে "দেখা, মাধৱৰ কাৰ্য্য। পিতা পুত্ৰকো বিচ্ছেদ কৰিলে। এতিয়া মই বেছকৈ বুজিলোঁ যে মাধৱ আহি আমাৰ ৰাজ্যত কলি স্বৰূপ হৈ সোমালহি। এই কলিক ইয়াৰ পৰা খেদাব লাগে।" এই বুলি বিৰূপাক্ষই পণ্ডিতেৰে সৈতে বাদ কৰোৱাই মাধৱক হৰুৱাই অপদস্থ কৰি খেদোৱাৰ দিহা কৰি, বঙ্গদেশী মাধৱ নামে এজনক আনি, আৰু অনেক কুতৰ্কী ব্ৰাহ্মণক আনি সভা পাতি তেওঁলোকেৰে সৈতে তৰ্ক কৰি বাদ কৰিবলৈ মাধৱদেৱক নিমন্ত্ৰণ কৰিলে। মাধৱদেৱে নিমন্ত্ৰণ পাই বিৰূকাজীৰ মতলব বুজি উদাসিত মনেৰে সভাত বহিল গৈ। তেওঁৰ ভকতসকল সভাৰ বাহিৰতে ৰ'ল; মাথোন ৰামচৰণ ঠাকুৰ আৰু অচ্যুত গুৰুহে তেওঁৰ লগত আছিল। প্ৰকৃতপক্ষে বঙ্গদেশী মাধৱ নামেৰে লোকজন মহা মূৰ্খ। বিৰূৱে তেওঁক সভাত ৰবটো পাতি বহুৱাই থৈ কুতৰ্কী ব্ৰাহ্মণসকলৰ হতুৱাই মাধৱদেৱৰে সৈতে তৰ্ক লগোৱাই দি, পাৰে যদি মাধৱদেৱক অপদস্থ কৰিবৰ মতলব কৰিছিল। বিৰূকাজীয়ে মাধৱদেৱক কলে "শুনা মাধৱ, এইজনৰ নামো মাধৱ; এওঁ তোমাৰ মিতা; এওঁ বঙ্গদেশৰ পৰা তোমাৰে সৈতে বাদ কৰিবলৈ আহিছে।" মাধৱদেৱে উত্তৰ দিলে "তুমি ভাল কৈছা; তোমাৰ কৃপাত মোৰ আজি মিত্ৰ লাভ হ'ল।" বিৰূৱে কলে "এওঁ কয়, মালাত মেৰু আছে। মালাত মেৰু আছে নে নাই, তুমি উত্তৰ দিয়া।" মাধৱদেৱে উত্তৰ দিলে "গীতা, ভাগৱত, বৃহৎ সহস্ৰনাম আদি শাস্ত্ৰসকলত, মালাত মেৰু দিবলৈ নকয়। কোন শাস্ত্ৰমতে বঙ্গৰ মাধৱে কৈছে মোক কওক?" বঙ্গৰ মাধৱ জথা মূৰ্খ, তেওঁ নামাতি মঠ ধৰি মেজিটো যেন হৈ বহি ৰ'ল। ব্ৰাহ্মণসকলে তন্ত্ৰ মন্ত্ৰ মাতি, মালাত মেৰু দিব লাগে বুলি কলে। মাধৱদেৱে শাস্ত্ৰৰ বচন উদ্ধাৰ কৰি কলে "যি বীজ মন্ত্ৰ জপ কৰে, সেইজনৰ সেই মালাত মেৰু দিবৰ ব্যৱস্থা আছে; কিন্তু হৰিনামৰ মালা যি ধাৰণ কৰে, সেই মালাত মেৰুৰ কোনো প্ৰয়োজন নাই।" এই বুলি তেওঁ পঞ্চৰাত্ৰতন্ত্ৰৰ শ্লোকবোৰ সৰ্ সৰ্ কৰে মাতিবলৈ ধৰিলত, বিৰূকাজীৰ মুখ বন্ধ হৈ গ'ল। ব্ৰাহ্মণসকলেও একো উত্তৰ বিচাৰি নাপাই সেই কথা এৰি দি, শুধিলে "শিৱ চৈতন্য নে জড়?" মাধৱদেৱে উত্তৰ দিলে "শিৱ জড়, চৈতন্য নহয়।" এই কথা কোৱা মাত্ৰকে ব্ৰাহ্মণসকলে হাই কৰি গিৰ্জ্জনি মাৰি উঠিল; আৰু বিৰূপাক্ষই ক্ৰোধত অন্ধকাৰ দেখি মাধৱদেৱক শুধিলে "তুমি শিৱক কিয় জড় বুলিলা, বুজাই কোৱাঁ।" মাধৱদেৱে ধীৰভাৱে কলে "শাস্ত্ৰসকল বিচাৰি চোৱাঁ দেখিবা; বিশেষকৈ শ্ৰীমদ্ভাগৱতত প্ৰকট হৈ আছে, যে শিৱই বৃকাসুৰৰ ভয়ত তিনিউ ত্ৰৈলোক্য ঘূৰি পিছত বিষ্ণুৰ প্ৰসাদত সেই আপদৰ হাত সাৰিলে। মোহিনীৰ ৰূপত মুগ্ধ হৈ শিৱই মোহিনীৰ পিছে পিছে দ্বীপ দ্বীপান্তৰ ঘূৰি ফুৰিছিল। চৈতন্যৰ মায়াই সকলোকে মোহে; যি মোহিত হৈ ফুৰে তেৱেঁই নিশ্চয় জড়। এতেকে মহেশ জড়, আৰু মাধৱ চৈতন্য ঈশ্বৰ।"

এই কথা শুনি ব্ৰাহ্মণসকলে খঙত গুজৰি মাধৱদেৱক কলে "হাৰে মাধৱ! তই শূদ্ৰ হৈ এনে কথা ক! মহেশক জড় বোল। আমি ইমানবোৰ ব্ৰাহ্মণ ইয়াত আছোঁ তই নাজান নে? আমাৰ আগতে ইমান বৰ কথা মাত দেখোন? আজি তই আমাৰ হাতত বিপাঙ্গে মৰিবি।" শাস্ত্ৰৰ যুক্তিৰে বলে নোৱাৰি এইদৰে বামুণসকল ফকৃফকাই উঠা দেখি ৰামচৰণ ঠাকুৰে ককালত কাপোৰ বান্ধি থিয় হৈ আগবাঢ়ি গৈ কৰলৈ ধৰিলে "আহ, তইঁতৰ কাৰ সাহ আছে। শাস্ত্ৰৰ কথা একো নাজান পৰম অজ্ঞানী তইঁত। শাস্ত্ৰৰ তৰ্কৰে বলে নোৱাৰি মিছাই ফকৃফকাই উঠিছ।" ৰামচৰণ ঠাকুৰৰ ভেনে মূৰ্ত্তি দেখি ব্ৰাহ্মণসকল চেচা পৰি গৈ লাহে লাহে সভাৰ-পৰা স্বৰস্বৰকৰে আঁতৰি গুচি গ'ল। ইয়াৰ পিছত মাধৱদেৱে বিৰূপাক্ষ কাজীক কলে "মোক নিন্দা কৰি তুমি কি ফল লভিলা? মূৰ্খ এটাক আনি আমাৰ আগত থৈ আপুনি তৎক্ষণাৎ লঘু হলা? তোমাৰ বাগত মোৰ কি হব পাৰে? ৰজা থাকোঁতে মই কালৈকো ভয় নকৰোঁ।" এইদৰে মাধৱদেৱে কোৱাৰ পিচত বিৰূকাজীয়ে সভা বিসৰ্জ্জন কৰি, তাৰ পিছত মাধৱদেৱৰ হাতত ধৰি কলে "মোৰ ওপৰত তুমি ৰোষ নকৰিবা; মই এটা কথা কওঁ শুনা; তুমি মালাত সেৰু দি লবা।" মাধৱে উত্তৰ দিলে "সি কি হব পাৰে? যি কাৰ্য্য কৰিবলৈ শাস্ত্ৰ সাধু কোনেও নকয়, সেই কাৰ্য্য মই কিয় কৰিম?" এই বুলি তেওঁ গৃহলৈ গুচি আহিল।

পিছদিনা এই ঘটনাৰ কথা আইধায়ে শুনি ৰজাক জনাই কলে "তুমি ৰজা নে বিৰু ৰজা ইয়াৰ একো নিৰ্ণয় নাজানিলোঁ।" ৰজা বা-লোৱা চৰাত বহি আছিল। তেওঁ আইধাইৰ মুখে এই কথা শুনি বিৰু কাজীক মতাই আনি খং কৰি সুধিলে "বিৰু তই সদায় মাধৱক ভাল বুলি ক, এতিয়া কিয় মাধৱৰ বিপক্ষে চল?" বিৰুৱে ৰজাক কলে "মহাৰাজ, গোটেইখন দেশ মাধৱে নাশ কৰিলে। মাধৱৰ উপদেশ শুনি লোক অনাচাৰী হ'ল। মাধৱে পিতা পুত্ৰৰ ভিতৰত ভেদ উপস্থিত কৰি বিচ্ছেদ ঘটাব লাগিছে।" ৰজাই কলে "বিৰু, তই মাধৱক বহু দিন পালি, এতিয়াহে বেয়া বুলি জানিলি?" ৰজাই বিৰুক এইদৰে কৈ মনতে ভাবিলে, বাৰু বুজি চাব লাগে, বিৰুৱে কিয় এতিয়া মাধৱৰ বিপক্ষে এইদৰে কয়। ইয়াকে ভাবি ৰজাই মাধৱদেৱক মতাই আনিলে। পশ্চিমৰ তিনিজন পণ্ডিত ৰজাৰ ৰাজ্যতে আছিল, তেওঁলোককো ৰজাই মতাই আনি সমাৰোহ কৰি সভা পাতি, তেওঁলোকক কলে, "এওঁ আসামৰ এজন মহাজন। এওঁৰে সৈতে তোমালোকে আলাপ আৰু বিচাৰ কৰা। এওঁ শৰৎ কালৰ দেৱী পূজা নকৰে। বিষ্ণুৰ বাহিৰে আন দেৱতাৰ পূজা নকৰে।" এই কথা শুনি পণ্ডিতে মাধৱদেৱক আন দেৱ পূজা নকৰাৰ কাৰণ সুধিলত, মাধৱদেৱে কলে "গতাগত ভোগ বাঞ্ছা যি কৰে তেওঁৰ হে আন দেৱ দেৱী পূজা কৰিবৰ আৱশ্যক হয়। এক-শৰণ হৈ কৃষ্ণক ভক্তি কৰোঁতাজনৰ হৰি বিনে আন মুক্তিদাতা নাই। যত দেৱ দেৱী হৰিৰ বিভূতি মাত্ৰ। হৰিৰ আজ্ঞাত সেইসকলে সৃজন সংহাৰ কৰে। অচৈতন্য দেৱতাসকলৰ উৎপত্তি একমাত্ৰ চৈতন্য হৰিত। হৰিৰ মায়া বিভৱৰ পৰিচ্ছেদ নাই। সকলো দেৱ দেৱী ঈশ্বৰৰ পৰা পৃথক। কৃষ্ণৰ বাহিৰে দেৱতাত চিদাংশ নাই। ব্ৰহ্মা ৰুদ্ৰ মায়াৰ প্ৰভাৱত অভিভূত। দেৱতাসকলে জড় ৰূপে কৰ্ম কৰি থাকে আৰু সেৱকসকলক ভোগ ঐশ্বৰ্য্য আদি দিয়ে। জড়ক পূজিলে মুক্তি লাভ নহয়; এই কথাৰ প্ৰমাণ মুচকুন্দৰ বচনত আছে; আৰু ভাগৱতৰ বেদস্তুতিত আছে।" এইদৰে বেদ বেদান্তৰ প্ৰমাণ দি মাধৱদেৱে পণ্ডিতক কলত, তেওঁলোকে মহাসন্তোষ পাই, মাধৱ দেৱক ধন্য ধন্য বুলি প্ৰশংসা কৰিবলৈ ধৰিলে আৰু ৰজাক কলে "মহাৰাজ, মাধৱৰ মত সৰ্ব্ব বেদ বেদা-ন্তৰ ৰহস্য; আমি শুনি মানিবলৈ বাধ্য হলোঁ।" পণ্ডিতসকলৰ মুখে এই কথা শুনি ৰজাই বিৰু কাজীৰ ফালে চাই কলে "বিৰু, পণ্ডিতসকলে এতিয়া কি কলে তই শুনিলি? তই অকাৰণ মহা সন্ত মাধৱক দ্বেষ কৰিলি। তই নিৰ্ব্বোধ, একো নাজান।" বিৰুৱে কলে "মই কোচ ম্লেচ্ছ অজ্ঞজন, মই কি জানো; বামুণে যিহকে কলে তাকে শুনিছিলোঁ।" ৰজাই কলে "এই বামুণবিলাকক দূৰ কৰি দে গৈ। আৰু যেন সিহঁত মোৰ নগৰৰ ভিতৰলৈ নাহে। তই চাচোন, মাধৱৰ মত কেনে বিচক্ষণ। এই পথৰ বাহিৰে জীৱৰ তৰণৰ সুগম পথ আৰু নাই। আজিৰপৰা মোৰ ৰাজ্যৰ সকলো লোক মাধৱৰ মতে চলক। মোৰ ৰাজ্যত যত সন্ত সাধু সন্ন্যাসী আছে সকলোৰে ওপৰত মই মাধৱক ধৰ্ম্মৰ ৰজা পাতিলোঁ।" এই বুলি ৰজাই গন্ধ চন্দন আনি মাধৱদেৱক দি সন্মান কৰিলে। আইধায়ে মাধৱৰ জয়জয়কাৰ শুনি পৰম আনন্দ লাভ কৰিলে; ৰাজ্যৰ সকলো প্ৰজাই আনন্দ পালে। ৰজাই বিৰু কাজীক কলে "তই এতিয়া মাধৱক সাদৰ কৰি আগবঢ়াই থৈগে।" ৰজাৰ আজ্ঞা শুনি বিৰুৱে আৰিয়া জোৰ দি মাধৱদেৱক কিছুমান বাট আগবঢ়াই থৈ আহিলগৈ মাধৱদেৱে পথত যাওঁতে বলদেৱৰ সত্ৰত হৰিনাম গোৱা শুনি সঙ্গৰ ভকতসকলক সুধিলে "কি আমি ভেলা পালোঁহি নে কি?" ভকতে উত্তৰ দিলে "ভেলা নাই পোৱাহি; এইখন দামোদৰীয়া সত্ৰ; তাত নাম স্তুতি স্তোত্ৰ গাইছে।" এজন ভকতে কলে "কিন্তু নামৰ আগগুৰি হে নাই।" মাধৱদেৱে

সেই কথা শুনি কলে "একো হানি নাই। সি তথাপি সংসাৰ তৰিব, হৰি নাম যেনে তেনে মতে কীৰ্ত্তন কৰিলে, অগ্নিয়ে তৃণ দহাৰ নিচিনাকৈ সি পাপ দহন কৰে।"

ইয়াৰ পিছত মাধৱদেৱৰ যশৰাশি বেহাৰৰ চতুৰ্দ্দিশে ব্যাপ্ত হৈ পৰিল। নানা ঠাইৰপৰা সন্ন্যাসী, বৰাগী, সাধু, মহন্ত আহি তেওঁৰ ওচৰত শাস্ত্ৰালাপ কৰিবলৈ ধৰিলে। নানা ঠাইৰ পৰা লোকসকলে আহি তেওঁৰ ওচৰত শৰণ ললে।

এদিন ৰজাই মাধৱদেৱৰ লগত সাক্ষাৎ কৰিবলৈ মহা সমাৰোহ কৰি মাধৱদেৱৰ সত্ৰলৈ আহিল। মাধৱদেৱে ৰজাক আগবঢ়াই আদৰি আনিলে। ৰজাই মাধৱদেৱক প্ৰণাম কৰি বহি তেওঁৰে সৈতে অনেক সদালাপ কৰিলে। বিক্ৰ কাৰ্য্যৰ হেতুৰাই ৰজাই মাধৱদেৱৰ আগত টকা, বস্ত্ৰ থোৱাই মাধৱদেৱক প্ৰণাম কৰোৱাই ক্ষমা প্ৰাৰ্থনা কৰালে। ৰজাই ঘৰলৈ উভতি গৈ আইবাইৰ আগত মাধৱদেৱৰ অনেক প্ৰশংসা কৰি কলে "মই ধন্য, মোৰ ৰাজ্যলৈ এনেজন সাধু পুৰুষ আহিছে, যাৰ প্ৰকাশিত ধৰ্ম্মক ধৰি লোকসকল তৰিব।" এই কথা কৈ ৰজাযো মাধৱদেৱৰ ধৰ্ম্মক ধৰিবৰ নিমিত্তে মনতে নিশ্চয় কৰিলে।

ত্ৰিংশ অধ্যায়

বদলা আতাৰ চৰিত্ৰ

কুণ্ডিল নগৰত সুবৰাজ আৰু যুবৰাজ নামে দুজন ধনী মানী প্ৰধান কায়স্থ আছিল। সুবৰাজৰ পুত্ৰৰ নাম লৱ, যুবৰাজৰ পুত্ৰৰ নাম কুশ। দেশৰ বিভ্ৰাটত দুয়ো ভাগি আহি ৰৱনাৰায়ণপুৰত ঘৰ-বাৰী কৰি থাকিলহি। লৱৰ দুটি পুত্ৰ হল, নাম তিতা চোমদাৰ আৰু গোপাল। কুশৰ এটি পুতেক,—নাম, শ্যাম চোমদাৰ। তেওঁলোক ৰজা প্ৰজা ভূঞা বিপ্ৰ সকলোৰে আদৰৰ পাত্ৰ হৈ উঠিল। তিতা চোমদাৰে সত্যা নামে এটা কন্যা বিবাহ কৰিলে। সত্যাৰ গৰ্ভত প্ৰথমতে শঙ্কৰদাস নামে এটি পুত্ৰ হল; তাৰ পিছত বহুৰমা নামে কন্যা এটা হল। কিছু কালৰ পিছত সত্যাৰ গৰ্ভত তিতা চোমদাৰৰ আৰু এটি পুত্ৰ হল, তেওঁৰ নাম পদ্ম (পিছত বদলা আতা)। * জন্ম হোৱাৰ কিছুকালৰ পিছত তেওঁলোকৰ পিতৃ চোমদাৰৰ মৃত্যু হল। শঙ্কৰদাস আৰু পদ্ম মাকেৰে সৈতে খুৰাক গোপালৰ লগত থাকিল। শ্যাম চোমদাৰৰ পুতেকৰ নাম পুৰুষোত্তম।

ৰজাৰ আজ্ঞাত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে প্ৰজা বহুৱাবৰ নিমিত্তে পুৰুষোত্তম আৰু গোপাল দুয়ো দক্ষিণ পাৰলৈ গল। খুৰাক গোপালে ল'ৰা দুটি আৰু ৰোৱালীজনীক তেওঁলোকৰ মাকেৰে সৈতে প্ৰতিপাল কৰি আছিল; এতিয়া তেওঁ দূৰলৈ আঁতৰি যোৱাত তেওঁলোক নিঠৰুৱা হৈ পৰিলত, হিংসা-কুৰীয়া বহুত জাতিসকলে তেওঁলোকক হিংসা কৰি দুখ দিবলৈ ধৰিলে। সেই দেখি শঙ্কৰদাসে ভায়েক আৰু মাকেৰে সৈতে ধৱলপুৰলৈ উঠি গৈ মাতামহ হনুমন্তাৰ ঘৰত ঘনাগৈ। ধৱলপুৰত পদ্মক গৰু বাখিবলৈ দিয়া হল। তেওঁ লগৰীয়া ছাটি গৰখীয়া ল'ৰাৰে সৈতে গৰু চৰাই ফুৰিবলৈ ধৰিলে। ককায়েক পদ্মক লেখাপঢ়া শিকাবলৈ চেষ্টা কৰি দিলত একো একোজনে একো একো দিনাকৈ গৰু বাখি আৰু বাকী ছদিন লেখাপঢ়া কৰে দেখি তেওঁলোকৰ বিদ্যা শিক্ষাত কোনো বিঘিনি নঘটিল।

সেইমতে মাতামহৰ ঘৰত তেওঁলোকে থাকোতে পাঁচ বছৰ হল। এনেতে এদিন গোপালে তেওঁৰ পুৰণি ভেটিলৈ আহি দেখিলে যে তাত ঘৰ-বাৰী একো নাই, ভেটিটোত হাবি হৈ পৰিছে। তেওঁৰ ভতিজাকহঁতক মাকেৰে সৈতে ধৱলপুৰলৈ গল বুলি শুনি তেওঁ সেই পুৰণি ভেটিতে আকৌ নতুন ঘৰ-দুৱাৰ সাজি, ভতিজাহঁতক বোৱাৰীয়েকৰে সৈতে তালৈ লৈ গলহি।

গোপালে তেওঁলোকক প্ৰতিপাল কৰি ৰাখি শঙ্কৰদাসলৈ কন্যা এটি বিয়া কৰাই দিলে। ইয়াৰ কিছুদিনৰ মূৰত তেওঁলোকৰ খুৰাক গোপালৰ মৃত্যু হল, তাৰ পিছত মাতৃদেবীৰও পৰকাল হল। বহুৰমাকো বিয়া হল, আৰু জগন্নাথচৰণ নামে বহুৰমাৰ এটি পুত্ৰ হল। খুৰাক মাকৰ মৃত্যু পিছত পদ্ম ককায়েক শঙ্কৰদাসৰ লগতে থাকিল।

এনেতে সেই অঞ্চলত অকস্মাৎ ডফলাৰ যুদ্ধ হলত, সকলো ৰায়ত যুদ্ধলৈ ওলাল। শঙ্কৰদাস আৰু পদ্মৰ ভিতৰৰো এজনক সেই যুদ্ধলৈ যাবলৈ ৰায়তে মাতিলত, শঙ্কৰদাসে ভায়েক পদ্মকে পাচিলে। জ্যেষ্ঠৰ আজ্ঞা সাদৰেৰে পালন কৰি পদ্ম বং মনেৰে ৰায়তেৰে সৈতে ডফলাৰ যুদ্ধলৈ গল। যুদ্ধৰ ঠাইত পদ্মৰ ওচৰত দুটা নটৰ ল'ৰাও আছিল। ডফলাই যুদ্ধত প্ৰায় সকলোবোৰ লোককে বিনাশ কৰি শেষত খেদি গৈ সেই নটৰ ল'ৰা দুটাকো মাৰিলে। পদ্মই এনে হোৱা দেখি বিষাদিত হৈ অস্ত্ৰ ধৰি ডফলাৰে সৈতে যুজিবলৈ সাজু হল। ডফলাই তেওঁক বেঢ়ি ধৰিলে। কিন্তু আচৰিত কথা ডফলাই যত যাঠি

---

* চৰিত্ৰত আছে, নাৰায়ণে আহি সত্যা সতীৰ তেওঁৰ গৰ্ভত থাকিবলৈ ঠাই খোজা সপুন সত্যাই দেখিছিল। সেইদেখি পদ্মৰ এটা নাম হৰিবপো। তেওঁ দেখিবলৈ বৰ সুপুৰুষ আছিল, আৰু তেওঁৰ গাৰ বৰণ পদ্মৰ নিচিনা ৰঙা আছিল দেখি তেওঁৰ নাম পদ্ম হৈছিল।

জোং তেওঁৰ কাণে লাগি পৰিলাগ, সেইবোৰ তেওঁৰ গাত লাগি উফৰি গল। তেনে দেখি ভয়না-বোৰে আচৰিত মানি তেওঁক 'দেও মানুহ' বুলি এৰি পৈ গুচি গল। ইয়াৰ পিছত পদ্ম আতাই তাৰ পৰা উভতি ঘৰলৈ হৈ আহোঁতে বাটত গাৱঁত ৰাশি ৰাশি মানুহ, গৰু, পশু, পক্ষী মৰি থকা আৰু ঘৰ-বাৰীবোৰ পুৰি ভস্ম হৈ থকা দেখি তেওঁৰ মনত বৰ বিষাদ লাগি বৈৰাগ্য উপস্থিত হয়। তেওঁ ভাবিলে "মই কি দেখি গলোঁ, আৰু উভতি আহি কি দেখিলোঁ! সংসাৰ ক্ষণভঙ্গুৰ; সকলো অসাৰ অলীক।" এইদৰে তেওঁ ভাবি আহি ঘৰ পাই মনত বিৰকতি লৈ স্নান কাৰ্য্য কৰি থাকি, সকলোবোৰ অসাৰ ভাবি গৃহ-কাৰ্য্যত সমূলি মন নিদি ৰামৰমীয়া বৰাগীসকলেৰে সৈতে হৰিনাম গাই ফুৰিবলৈ ধৰিলে। ভায়েকৰ গৃহকাৰ্য্যত সমূলি মন নাই, তেওঁ মাত্র বৰাগীৰে সৈতে লগ লাগি নাম গাই ফুৰে দেখি ককায়েক শঙ্কৰদাসে তেওঁক অনেক বুজালে, অনেক তিৰস্কাৰ কৰিলে, কিন্তু একোতে তেওঁৰ মন নিফিৰিল। বৌৱেকে পদ্মক বৰ মৰম কৰিছিল। তেওঁ ভাবিলে, দেওৰেকক বিয়া কৰাই দিলে দেওৰেক গৃহস্থী হৈ থিৰ হব। ইয়াকে ভাবি বৌৱেকে পদ্ম আতাক কন্যা এটি বিয়া কৰাই দিলে; কিন্তু তেওঁ বৌৱেকৰ অনুৰোধ এৰাব নোৱাৰি যদিও বিয়া কৰালে, তথাপি তাক জঞ্জাল বুলি ভাবি গৃহকাৰ্য্য আৰু গৃহস্থী ধৰ্ম্মলৈ সম্পূৰ্ণৰূপে অনাস্থা প্ৰদৰ্শন কৰি আগৰ দৰেই নাম গাই ঈশ্বৰ চিন্তা কৰি ফুৰিবলৈ ধৰিলে। ভায়েকক কোনো মতেই গৃহকাৰ্য্যত আৰু গৃহস্থী ধৰ্ম্মত লগাব নোৱাৰি, শেহত তেওঁৰ বৰ খং উঠি ভায়েকক ভাত নিদিবলৈ ভাৰ্য্যাক টান হুকুম দিলে। বৌৱেকৰ কিন্তু দেওৰেকলৈ বৰ মৰম, সেইদেখি তেওঁ লুকাই শুশ্ৰূষা কৰি দেওৰেকক ভাত দিবলৈ ধৰিলে। এদিন ইয়াৰ গম পাই স্বামীজনে ভাৰ্য্যাক বৰকৈ গৰ্জ্জিবলৈ ধৰা দেখি পদ্ম আতাক বেলেগে চুকতে চৰু এটা জুৰি বৌয়েকে ভাতৰ দিহা কৰি দিলে। তেনে হোৱা দেখি ককায়েকে কুঠা এডাল বেৰেৰে সৈতে চৰুত লগাই চৰুটো ছুৰা কৰি পলে। এনে হোৱা দেখি পদ্মই ককায়েকৰ ঘৰ পৰিত্যাগ কৰি, ওচৰতে এজন গৃহস্থৰ বিহানিৰ মাজত জুপুৰী এটাত থাকিলহি। কিন্তু ককায়েকে তালৈকে গৈ তেওঁৰ চৰুটো বেৰেৰে সৈতে লগাই থৰিকা পেলাই খৈ চৰুটো ছুৰা কৰি অহাত তেওঁ সেই ঠাই এৰি আন এঘৰ গৃহস্থৰ বাঁহ-তলৰ জুপুৰী এটাত বলগৈ। তাতো ককায়েকে তেওঁক আমনি কৰিবলৈ নেৰাত, তাৰপৰা তেওঁ আতৰ হৈ হাতীশাল নামৰ ঠাইত বহা এটি কৰি বলগৈ। এই দৰে ঠাই সলাই থাকিও তেওঁ ককায়েকৰ হাত সাৰিব নোৱাৰি বিমন হৈ দুখ কৰি থকা দেখি জয় ভাৰতীয়ে তেওঁক তাৰ কাৰণ শুধি জানিব পাৰি তেওঁক আশ্বাস কৰি নিজৰ বাৰীত বহা এটি সাজি থাকিবলৈ কলে। তেওঁ জয় ভাৰতীৰ তাতে থাকিল। জয় ভাৰতীৰ ওচৰত তেওঁ শাস্ত্ৰ পঢ়ে। এদিন তেওঁ শাস্ত্ৰত পালে যে "হৰি হৰ ব্ৰহ্মা থাকে যাৰ আজ্ঞা ধৰি" এই পদ পাই ভাৰতীক শুধিলে যে "এই তিনি দেৱতাই কাৰ আজ্ঞা পালে? এওঁলোকক কোনে চলায়?" ভাৰতীয়ে কলে "এই তিনি দেৱতাৰ বাহিৰে আন কোনো নাই। সেই দৰে শাস্ত্ৰকৰ্ত্তাই হে কৈছে।"

এদিন পদ্ম আতাই জয় ভাৰতীৰ ওচৰত পঢ়ি আছে, এনেতে এজনে ভাৰতীক হৰিকীৰ্ত্তনলৈ যাবলৈ নিমন্ত্ৰণ কৰিলে। ভাৰতীয়ে নিমন্ত্ৰণ গ্ৰহণ কৰি "অৱশ্যে যাম" বুলি কলে। ইয়াৰ কিছু পাছতে এজনে তেওঁক পুখুৰী উছৰ্গালৈ নিমন্ত্ৰণ কৰিলত, তেওঁ তালৈকো "নিশ্চয় যাম" বুলি নিমন্ত্ৰণ গ্ৰহণ কৰিলে। নিমন্ত্ৰণ কৰোঁতাজন উঠি গলত, পদ্ম আতাই ভাৰতীক শুধিলে যে তেওঁ যে পুখুৰী উছৰ্গাৰ নিমন্ত্ৰণ গ্ৰহণ কৰি যাম বুলিলে, তাৰ আগেয়ে দেখোন হৰিকীৰ্ত্তনৰ নিমন্ত্ৰণো গ্ৰহণ কৰি যাম বুলিছিল, এতিয়া একে দিনাই একে সময়তে তেওঁ কেনেকৈ দুই নিমন্ত্ৰণ ৰক্ষা কৰিব? এই কথা শুনি ভাৰতীয়ে আতাক কলে "ইয়াৰ কাৰণ কওঁ শুনা,— হৰিকীৰ্ত্তনত বিশেষ দ্ৰব্য বস্তু একো পোৱা নাযায়; গুৱা, পাণ, চাউল, বস্ত্ৰ এখন আৰু কড়ি শিকি বা টকা এটা পালেই সৰহ; কিন্তু পুখুৰী উছৰ্গাত অনেক ধন, তাম, কাঁহ, পিতল জাৰি, খুৰি, গো, বস্ত্ৰ, ৰজত, কাঞ্চন পোৱা যাব; সেইদেখি হৰি-কীৰ্ত্তনলৈ মোৰ যাবৰ মন নাই।" আতাই মনতে বিমৰিষ কৰিলে "ব্ৰাহ্মণৰ অনিত্য দ্ৰব্যত কেনে আসকতি! ব্ৰাহ্মণে দ্ৰব্যবস্তুৰ লোভত পৰি হৰি-কীৰ্ত্তনতকৈ পুখুৰী উছৰ্গাক শ্ৰেষ্ঠ কৰিলে।" ইয়াকে ভাবি তেওঁ ভাৰতীক কলে "বাৰু, হৰিকীৰ্ত্তনলৈ, গুৰু, মোকে পঠিয়াই দিয়ক, মইয়ে যাওঁ।" ভাৰতীয়ে কলে বাৰু তেন্তে তুমিয়েই যোৱা।" আতা কীৰ্ত্তনলৈ গৈ সমাজত বহিল। "ৰত্নাৱলী" গ্ৰন্থখন তেওঁক পঢ়িবলৈ দিলত তেওঁ হাত ধুই পুথিখন মেলি আঁতাই পঢ়ি ঋষভৰ বচনৰ পদ কেইফাকি পাইয়েই প্ৰেমত বিগলিত হৈ, তেতিয়াই মনতে নিশ্চয় কৰিলে যে যিজন এই গ্ৰন্থ ৰচনাকাৰক তেওঁকে তেওঁ গুৰু মানিব।

ইয়াৰ পিছত পদ্ম আতাই ভাবিলে যে তেওঁক থাকিবলৈ এখন ঠাই লগা হল, যত তেওঁ স্থকলমে ঈশ্বৰৰ নাম গুণ গাই নিৰলা হৈ থাকিব পাৰে। হৰি নামে ব্ৰাহ্মণ এজনৰ পুখুৰীৰ পাৰতে তেওঁ তেওঁৰ ভাগিনিয়েক জগন্নাথচৰণৰ হতুৱাই ঘৰ এটি সজোৱাই জয় ভাৰতীৰপৰা বিদায় লৈ তালৈ উঠি গল। তাত তেওঁ ভাগিনিয়েক জগন্নাথচৰণৰে সৈতে মনৰ স্থখেৰে

থাকি ওৰে দিনটো বামৰমীয়াসকলৰ লগত নাম গাই কটাবলৈ ধৰিলে। স্নেহশীলা বোৱাৰীয়ে মনে মনে গৈ হৰি-পুখুৰীৰ সেই বহাতে দেওৰেকক খাবৰ বই-বস্ত দি আহে গৈ। এদিন তাকে দেখি স্বামীয়ে ভাৰ্য্যাক নথে দপালিবলৈ ধৰিলে। এখন খৰা কাচি আতাৰ লগত আছিল ; কথাযেক শংকৰদাসে তাকো কঢ়াই নিলে। অস্ত্ৰৰ অভাৱত আতাৰ মস্কিল হল। সচুলি কমাৰ নামে কমাৰ এজন সেই ভোখৰতে আছিল ; চৰিত্ৰত আছে, কমাৰে ৰাতি স্বপ্ন দেখিলে যে তেওঁক স্বপ্নত এজন অলৌকিক পুৰুষে এখন কটাৰী খুজিছে। কমাৰে স্বপ্নৰ কথা মনত কৰি ৰাতিপুৱা শাল পাতি কটাৰী দুখন গঢ়ি ভাৰিছে, কি দেখিলোঁ, কাক কটাৰী দিম ? এনেতে চাৰি দাঁড় মান বেলি যোৱাত জগন্নাথচৰণে আহি কমাৰক কলে "গোসাঁই মামাই এখন কটাৰী খুজি মোক তোমাৰ ওচৰলৈ পঠিয়াই দিলে।" এই কথা শুনি কমাৰে আনন্দমনেৰে দুখন কটাৰী তেওঁৰ হাতত আতালৈ পঠিয়াই দি কলে "এই দুখন কটাৰী নৈ যোৱা আৰু দুখন কটাৰী গঢ়ি মই তেওঁলৈ পঠিয়াই দিম।" জগন্নাথচৰণে কটাৰী দুখন নৈ মোমায়েকক দিলত, আতাই কলে "আগেয়ে ছিগা কাচি এখনেৰেই মোৰ কাম চলিছিল, এতিয়া মোৰ দুখন কটাৰী হল। আৰু মোক কটাৰী নালাগে বুলি তুমি কমাৰক কোৱাগৈ। মই মোৰ মনক বঢ়াই নিদিওঁ।"

দিনে দিনে পদ্ম আতাৰ মনত বিষয়ত বিৰকতি আৰু হৰিত ভকতি বাঢ়িবলৈ ধৰিলে। ঈশ্বৰৰ গুণ নাম গাই ঈশ্বৰক ধ্যান কৰি, সত্য শৌচ দয়া আচৰি তেওঁ কাল কটাবলৈ ধৰিলে। প্ৰভাততে উঠি স্নান কৰি পুষ্প তুলসীৰ মালা গাথি চন্দন দি শাস্ত্ৰৰ ওপৰত থাপি একান্তমনে হৰিনাম গান আৰু হৰিধ্যান কৰি থাকে। চাৰিউফালৰ লোকে তেওঁৰ ভক্তিভাৱ আৰু ঈশ্বৰ-পৰায়ণতা দেখি তেওঁক পৰম শ্ৰদ্ধা কৰি তেওঁৰ ওচৰলৈ আহি হৰিকথা শুনি তেওঁলৈ দ্ৰব্য বস্তু থৈ যাবলৈ ধৰিলে। তেৰেঁা সকলোকে মৃদু বাক্যেৰে তুষি গুৱাপাণ দি সাদৰ সম্ভাষণ কৰি সন্তুষ্ট কৰি পঠিয়ায়। এইদৰে তেওঁৰ পবিত্ৰ যশ চাৰিউফালে বিস্তাৰিত হবলৈ ধৰিলে। সকলোৱে তেওঁৰ নাম "লৰৰ নাতি গোঁসাই" বুলি শ্ৰদ্ধা ভক্তিৰে উল্লেখ কৰিবলৈ ধৰিলে।

এই হৰি-পুখুৰী পাৰত থাকোঁতেই বামদেৱ ব্ৰাহ্মণৰ পুত্ৰ হৰি আতৈ তেওঁৰ ভ্ৰাতৃৰে সৈতে পদ্ম আতাৰ লগত থাকেহি। হৰি আতৈক পাই বদলা আতাই আনন্দ কৰি কলে "আজি মই দৃশ্য হৰিক পালোঁ।" জয় ভাৰতীৰপৰা এখন ৰত্নাৱলী শাস্ত্ৰ খুজি আনি সেইখনক আগত ৰাখি পদ্ম আতাই পুৱা গধূলি পাঠ আৰু প্ৰসঙ্গ কৰে, আৰু ওচৰচুবুৰীয়া লোক গধূলি আহি সেই নামত বহে। চৰিত্ৰত আছে, এটা বাৰেও নিতৌ ওচৰতে বহি সেই প্ৰসঙ্গ শুনে দেখি প্ৰসঙ্গ শুনিবলৈ অহা লোকসকলে ভয় পোৱাৰ নিমিত্তে আতাই বাঘক দূৰ কৰি দিলে।

সেই সময়ত দেশত দভিক্ষ হোৱা বাবে অনেক লোকৰ কষ্ট হৈছিল। এদিনা তিনটা ভিক্ষুকে কতো ভিক্ষা নাপাই লৰনাতি গোসাঁইৰ ঘৰৰ আগতে বৈ ভাৰিলে যদি আমি ইয়াতে কেনেবাকৈ কিবা ভিক্ষা পাওঁ ! ভিক্ষুক কেইটা তিন দিন ভিক্ষা নাপাই অনাহাৰত আছিল। এটা ভিক্ষুকে লগৰ দুটাক বাটৰ মুখতে এৰি আহি লৰনাতি গোসাঁইক ভিক্ষা খুজিলে। তেওঁৰ হাতত সেই দিনা মুঠেই একঠা চাউল আছিল, তাকে তেওঁ থুই নিজৰ ভোজনৰ নিমিত্তে চৰুত বহাবলৈ উদ্যত কৰোঁতেই এই ভিক্ষুক ওলালহি। তেওঁ তেতিয়াই সেই ধোৱা চাউলৰ এপোহা মগনিয়াৰ-টোক দিলে। মগনিয়াৰটোৱে চাউল নৈ উভতি গৈ তাৰ লগৰীয়া দুটাৰ কাষ পালতে সি ভিক্ষা পোৱা দেখি লগৰীয়া দুটাৰ এটাই লৰৰ-নাতি গোসাঁইৰ ওচৰ পাই ভিক্ষা মাগিলে। তেওঁ বাকী চাউলৰ এপোহা তাক দিলত, তাক ভিক্ষা পাই উভতি অহা দেখি তৃতীয়টোৱেও আতাৰ ওচৰলৈ গৈ ভিক্ষা মাগিলে। আতাই তেওঁৰ বাকী চাউল পোহাও তাক দি ঈশ্বৰৰ নাম গুণ লৈ সেইদিন অনাহাৰে থাকিল।

কেহোঁ খা নামে এজনে এদিন ঘোৰাত উঠি আতাৰ ঘৰৰ আগেদি যাওঁতে আতাই মলা জপি থকা দেখি আতাক উপহাস কৰি গল। কিছুদূৰ গৈয়ে কেহোঁখাৰ গাত তিৰ্‌কপে জ্বৰ উঠিল আৰু গোটেই গা তেওঁ বিষত লৰাব নোৱাৰা হল। কোনো-মতে তেওঁ ঘৰলৈ উভতি আহিলত, তেওঁৰ ভাৰ্য্যাই তেনে হোৱা দেখি তেওঁক সকলো ঘটনাৰ আং: শুৰি শুধি বুজি লৈ লৰৰনাতি গোসাঁইলৈ অনেক কাতুৰ্ব্বাদ কৰি ক্ষমা প্ৰাৰ্থনা কৰি দ্ৰব্য বস্তু পঠিয়াই দি অপৰাধ মৰ্ষণ কৰাইহে স্বামীক আৰোগ্য কৰালে। আতাৰ ওচৰলৈ অনেক লোকে অলপ-অচৰপ দ্ৰব্য বস্তু হাতত লৈ আহে দেখি জয় ভাৰতী ব্ৰাহ্মণে ভাৱিলে যে লৰৰনাতিয়ে মোৰ ওচৰতে পঢ়িলে আৰু মোৰ ৰত্নাৱলী পুথিখনকে লৈ গৈ থাপনা কৰি তাৰ দ্বাৰাই মহত্ত্ব বোলাই নিজৰ প্ৰভাৱ বৃদ্ধি কৰি মানুহক বলাই নিছে, অথচ মই পণ্ডিত ব্ৰাহ্মণ মোৰ ওচৰলৈ দ্ৰব্য বস্তু লৈ কোনো নাহে। এইদৰে ভাবি তেওঁ লৰৰনাতি গোসাঁইক দিয়া শাস্ত্ৰখন খুজি লৈ গুচি গল। শাস্ত্ৰখন গলত আতাই অসন্তোষ মনেৰে বহি আছে। এনেতে জয় ভাৰতীৰ ভায়েক হৰি ভাৰতী তেওঁৰ ওচৰলৈ আহিল। হৰি ভাৰতীয়ে কি হৈছে বুলি সুধিলত আতাই কলে "তোমাৰ ভ্ৰাতৃয়ে শাস্ত্ৰখন লৈ গল, মোৰ সেৱা চৰ্চ্চা কৰিবলৈ শাস্ত্ৰ নাইকিয়া হল।" হৰি ভাৰতীয়ে কলে "মোৰ ঘৰত ৰাজসূয় শাস্ত্ৰ এখন

আছে মই সেইখনকে দিম। অলপ পৰৰ পিছত তাকে আনিবলৈ লোক পঠিয়াই দিব।" সেই কথা মতে আতাই হৰি ভাৰতীৰ ঘৰৰপৰা শাস্ত্ৰখন আনি ভাবিলে "আকাংখী বিপ্ৰৰ মন বুজিব নোৱাৰি, আকৌ কেতিয়াবা পুথিখন লৈ যাব, এতেকে ইয়াৰ নকল কৰি লেখি ৰাখিব লাগে।" এই বুলি তেওঁ শাস্ত্ৰখন লেখি ৰাখিবলৈ পাত মহী যুগুত কৰিবলৈ ধৰিলে।

ভাটকুচি আতাই অৰ্থাৎ কেশৱচৰণে গুৰুজনৰ বাক্যমতে উজান দেশলৈ আহি দেৱগোপাল অৰ্থাৎ বংশীগোপালৰ থান পালেহি। বাটত ভাটকুচি আতাৰ কোনো বিপদ হোৱা নাছিল, মাত্ৰ তেওঁ তিনিটি ভয় পাইছিল—এটি এটা খটৰ পৰা, এটি এটা হাতীৰ আৰু আনটি এটা মহৰ পৰা। বংশীগোপালদেৱক ভাটকুচি আতাই গুৰুজনৰ আজ্ঞা শুনাই নাও দিব লাগে বুলি কলত বংশীগোপালে দিম বুলি স্বীকাৰ কৰিলে। তেওঁ আতাক নামঘৰতে ভোজন কৰিবলৈ দিহা কৰাই দিলত, আতাই চাউল সিজাইছে, ভাত থক্-থকৈ উতলিছে, এনেতে তেওঁ ভিতৰৰ পৰা ইকবাৰ বেৰৰ বিন্ধাইদি দেখিলে আৰু শুনিলে,—দেৱগোপালৰ চাৰিজন ভকতে আহি দেৱ গোপালৰ ওচৰত বহি কোন ক'ৰপৰা আহিল, বুলি ভাটকুচি আতাৰ কথা তেওঁক শুধিলত, দেৱগোপালে তেওঁলোকক কলে, "গুৰুজনৰ আজ্ঞা হৈছে, নাও পঠিয়াই দিবলৈ।" ভকত কেইজনে কলে "তেনেহলে আপুনি জোলোঙা লীয়ক ; কাৰণ তেওঁ আহিলে আপোনাক আৰু কোনে পুচিব ? আপুনি ভিক্ষাৰী হব লাগিব।" দেৱগোপালে কলে "মই নাও দিম বুলি প্ৰতিশ্ৰুত হলোঁ, দিবই লাগিব, নিদিওঁ বুলি কব নোৱাৰো।" ভকত কেইজনে কলে "আকউ তেওঁ নাৱৰ কথা কলে আপুনি একো নামাতিব, তেনেহলে তেওঁ গুচি যাব।" এইবোৰ কথা ভাটকুচি আতাই শুনি থাকি তেওঁৰ মনত ইমান বেজাৰ লাগিল যে তেওঁ সিজা ভাত পেলাই দি ভোজন নকৰি ৰাতি নখোৱে ভোকে শুই থাকিল। ৰাতিপুৱাই আতাই উঠি গোপালদেৱক শুধিলে "নাৱৰ বিষয়ে কি হল, কোৱা ? বেলা হল, সোনকালে মই যাব লাগে।" ভকত কেইজন সেই সময়ত বংশীগোপাল দেৱৰ কাষতে আছিল ; বংশী-গোপালদেৱে ভাটকুচি আতাৰ কথাৰ উত্তৰ নিদি মনে মনে থাকিল। কিন্তু ভকত কেইজনে কলে "গুৰুজননো কিয় আহিব খুজিছে ? আহিব খুজি তেওঁ ভাল কৰা নাই। এবাৰ আমাঁৰ ৰজাৰপৰা ইমান দুখ পাই গৈছে, আকৌ আসাৰলৈ অহা উচিত নহয়।" এই উত্তৰ শুনি ভাটকুচি আতাই মনত বৰ বিষাদ পাই, তেতিয়াই তাৰ পৰা গুচি গল। ভাটীবেলা তেওঁ গৈ হৰিপুখুৰী পালেগৈ। সেই সময়ত পদ্ম আতাই আমি ওপৰত কৈ অহা ৰাজসূয় পুথিখন লেখিবলৈ উদ্যোগ কৰিছে ; জগন্নাথচৰণে লিখনৰ দ্ৰব্য পাত মহী এটি কৰণীত আনি দিছে। আতাই পূৰ্বমুখে বহি পুথিখনিৰ এটি পদ লেখিছে, ঠিক এনে সময়তে ভাটকুচি আতাই আহি পিছ ফালে থিয় দি পদ্ম আতাক সম্বোধন কৰি কলে "অৰা হৰিৰ পো, কি শাস্ত্ৰ লিখিছা ? পাত মহী ভাল নহয় ; আহি অশুধ।" আতাই ঘূৰি চাই শুধিলে "শুধ আহি কত পাম ?" কেশৱচৰণ আতাই কলে "তাক মই আনি দিম।" এই কথা শুনি পদ্ম আতাই তেওঁক "ক'ৰপৰা আহিলা ?" বুলি শুধিলত ভাটকুচি আতাই কলে "মোক মহাপুৰুষ গুৰুজনে পঠিয়াই দিলে।" ইয়াৰ পিছত দুইৰো সুখ দুখৰ কথা বাৰ্ত্তা হল, আৰু মাধৱদেৱৰ বিষয়ে সকলো কথা ভাটকুচি আতাই পদ্ম আতাক কলে। পদ্ম আতাই বোলে "মহাপুৰুষৰ পাশলৈ আমি যাব পাৰিম ; কিন্তু কি দ্ৰব্য লৈ যাব লাগে কোৱাঁ ?" কেশৱ আতাই কলে "বিস্তৰ দ্ৰব্য নালাগে। চাউল লোণ তেল আৰু এখনি নাও প্ৰস্তুত কৰি ৰাখাঁ, তোমাক লৈ মই অৱশ্যে যাম।" এই বুলি মিষ্টালাপ কৰি দুইজন থাকি, ভাটকুচি আতাই প্ৰভাততে স্নান ভোজন কৰি গুৰুৰ আজ্ঞামতে শলখলৈ গল।

ভাটকুচি আতাই শলখৰ পৰা উভতি এবছৰৰ মূৰত আহি হৰিপুখুৰীৰ পাৰ পাই দেখিলে ঘৰ শূন্য, তাত পদ্ম আতা নাই। পদ্ম আতাই হৰিপুখুৰীতে ভাটকুচি আতালৈ দিনৌ বাটচাই থাকোঁতে এটি ঘটনা ঘটিল, যাৰ নিমিত্তে তেওঁ হৰিপুখুৰী এৰি আন ঠাইলৈ যাবলৈ বাধ্য হল। পদ্ম আতাই প্ৰতি দিনেই দিৱসত হৰি আতৈক বহা ৰখীয়া পাতি ভক্তৰ সঙ্গত নাম বিচাৰি ফুৰে। এদিন কিছুমান হাঁহ ছাগলী বেচা মানুহে হাঁহ ছাগলী লৈ পদ্মৰ ককায়েক শঙ্কৰদাসৰ ঘৰত থাকিবলৈ ঠাই বিচাৰিলত শঙ্কৰদাসে সিহঁতক লৈ গৈ ভায়েকৰ হৰিপুখুৰী পাৰৰ ঘৰত থলেগৈ। সেই সময়ত পদ্ম আতা ঘৰত নাছিল। হৰি আতৈয়ে এনে অঘটন ঘটা দেখি মনত বিষাদ লৈ বাহিৰলৈ ওলাই আহি বেজাৰেৰে ৰাজসূয় শাস্ত্ৰখন হাতত লৈ চোতালত বহি ৰল। এনে সময়তে গধূলি পদ্ম আতাই ঘৰলৈ আহি আশ্চৰ্য্য হৈ হৰিচৰণৰ মুখে ঘটনাৰ সকলো আঁতিগুৰি শুনি বৰ বিষাদ পাই তেতিয়াই হৰি আতৈৰে সৈতে তাৰ পৰা গুচি গল। তেওঁলোক পথত যাওঁতে তমাই ৰাজখোৱাই দেখি মাতি আনি পীৰা পাৰি দি আতাক বহুৱাই, কি কথা কি বাৰ্ত্তা শুধিলত, আতাই সেই ঘটনাৰ কথা কলত, তেওঁ আতাক তাতে ৰাখি, পিছদিনা মুকুন্দৰ কলানি-বাৰীৰ কলাগছ কাটি তাতে তিনটা ঘৰ সজাই আতাক থাকিবলৈ দিলে, আৰু যদুমণি নামে আলধৰা এজন লগত দিলে।

পদ্ম আতা কলানি-ভোটিতে আছে ; কিন্তু দিনে ৰাতিয়ে তেওঁৰ চিন্তা, কেনেকৈ তেওঁ মাধৱদেৱৰ পাশলৈ যাব। ভাটকুচি আতালৈ বাট চাওঁতে চাওঁতে তেওঁৰ চকু বিষাল। এনেতে তেওঁ শুনিলে যে বনমালী কটকী ভাটীলৈ তীৰ্থ কৰিবলৈ যাবলৈ ওলাইছে। এই খবৰ শুনি তেওঁ ভাগিনিয়েক জগন্নাথচৰণক বনমালী কটকীৰ ওচৰলৈ শুধিবলৈ পঠিয়াই দিলে, তেওঁকো লগতে নাৱত নিব নে ? কটকীয়ে এই কথা শুনি আনন্দ প্ৰকাশ কৰি সম্মত হৈ কলে "মোৰ আইও গঙ্গাস্নান কৰিবলৈ ওলাইছে এতেকে তেওঁ লৰনাতি গোসাঁইক লগত পালে নিশ্চয় আনন্দিত হব।" এই কথা শুনি পদ্ম আতাই সন্তোষ পাই ভাটীলৈ যাবলৈ উদ্যোগ কৰিছে, এনেতে কেশৱচৰণ আতা আহি ওলালহি। কেশৱচৰণ আতাক পাই বদুলা আতা পৰম আনন্দিত হল ; আৰু দুজন আতা বনমালী কটকীৰ লগতে একে লগে যাবলৈ ওলাল। তেওঁলোকৰ লগত এই কেই জন গৈছিল— জগন্নাথচৰণ, যদুমণি, লো-গুটি-দামোদৰ, মাধৱচৰণ, বলোভদ্ৰ।

অনুক্ৰমে তেওঁলোক কাঠনি নামে ঠাই পালত কেশৱচৰণ আতাই বনমালী কটকীক কৈ নাও ৰখাই বামলৈ উঠি গৈ বৰবিষ্ণু আতাৰে সৈতে সাক্ষাৎ কৰি, শলখৰ এজনে তেওঁলৈ দিয়া সোণ এতোলা তেওঁক দি আহি নাও পালেহি। কেশৱ আতা বামলৈ উঠি যোৱা সময়ত পদ্ম আতাৰ টোপনি আহি শুই আছিল। কেশৱচৰণ আতা বৰবিষ্ণু আতাৰ পাশৰপৰা উভতি আহি নাৱত উঠিলত, পদ্ম আতাই তেওঁক কিয় লগত নিনিলে বুলি কেশৱচৰণ আতাক শুধিলত, কেশৱচৰণ আতাই কলে "আগেয়ে শুৱি চাই আহা, তাৰ পিছত আগ চাবা।" এই বুলি নাও মেলি তেওঁলোক ভটীয়াই গল। চৌকি এৰাই গৈ কিছুদিনৰ মূৰত তেওঁলোকে চৌখুটি ঘাট পাই তাতে নাও ৰাখিলে। ভাটকুচি আতাই জগন্নাথ চৰণক লগত লৈ উঠি গৈ মাধৱদেৱৰ ওচৰ পাই চৰণত পৰি প্ৰণাম কৰিলে। মাধৱদেৱে আতাক কলে "উজানলৈ চাওঁতে চাওঁতে গল বেকা হল ; তথাপি তুমি নহা দেখি, আইধাইৰ প্ৰাৰ্থনাত বেহাৰলৈ গুচি আহিলোঁ। তোমাৰ উভতি আহোঁতে বহুদিন হল। এইটি তোমাৰ সগত কোন আহিছে ?" আতাই কলে "এইটি পুৰুষজনৰ ভাগিন।" মাধৱদেৱে বোলে "এওঁৰ ছয়াঁগুটি নাম নে কি নাম কোৱাঁ-চোন ? সেই পুৰুষজন আহিছে নে ?" আতাই উত্তৰ দিলে "এওঁৰ নাম জগন্নাথচৰণ। সেই পুৰুষজন আহিছে, তেওঁ মহা গুণধাম।" গুৰুজনে কলে "আমি উজানত থাকোঁতে, মানুহৰ নাম, মাহ, বাৰ, এইবোৰ উল্লেখ কৰি দিয়া হৈছিল। এতিয়া তাত জগন্নাথ আদি ঈশ্বৰৰ নাম প্ৰকাশ হৈছে, কি উত্তম কথা। এওঁলোকৰ পিতৃৰ মাতৃৰ কি পৰম ভাগ্য চোৱাঁ, তেওঁলোকে উঠোঁতে জগন্নাথ, বহোঁতে জগন্নাথ, সকলো সময়তে বাৰংবাৰ জগন্নাথ নাম উচ্চাৰণ কৰিবলৈ পায়।" তেওঁ এই বুলি জগন্নাথ-চৰণক ভাটকুচি আতাৰে সৈতে থাকিবৰ দিহা কৰাই দিয়ালে। পিছদিনা হৰিকীৰ্ত্তনৰ প্ৰসাদ দেউৰিজনে বাঁটি দিওঁতে জগন্নাথচৰণকো এপাত দিলে। জগন্নাচথচৰণে মোমায়েকৰ নিমিত্তেও এপাত প্ৰসাদ খুজিলত দেউৰিয়ে প্ৰসাদ কোচত দিব খুজিলত, জগন্নাথচৰণে পাত এখনিত সেই প্ৰসাদ দিবলৈ দেউৰিক কলে। মাধৱদেৱে শুনি সন্তোষ লভি হৰিবল্লভ আতৈক কলে "বাপু হৰিবল্লভ, পুৰুষ-জনক মান্য কৰি তেওঁলৈ পাত এখনিত প্ৰসাদ দিয়া।' এই দৰে প্ৰসাদ দিয়া হলত, জগন্নাথচৰণে প্ৰসাদ লৈ যাবলৈ ওলালত গুৰুজনে কলে "তুমি অকলৈ কেনেকৈ যাবা, লগত ভকত দিওঁ।" এই বুলি ৰাম ৰাম আতা ভকতক লগত যাবলৈ আদেশ কৰিলত তেওঁৰ লগত জগন্নাথচৰণ আহি পদ্ম আতাৰ ওচৰ পালেহি। ভাগিনিয়েকৰপৰা গুৰুজনৰ বাৰ্ত্তা শুনি আৰু প্ৰসাদ পাই পৰম আনন্দিত মতে কৃতকৃত্য হৈ তেওঁ প্ৰসাদ ললে। পিছদিনা কেশৱচৰণ আতা তেওঁৰ ওচৰ ওলাই তেওঁক গুৰুজনৰ ওচৰলৈ যাবলৈ কলত, তেওঁ ভাৰখনি বন্ধাই লৈ যাবলৈ প্ৰস্তুত হল। বনমালী কটকীৰে সৈতে জগন্নাথচৰণকে আদি কৰি আৰু তিনিজন তীৰ্থলৈ গল। পদ্ম আতাই যদুমণিক কলে "এওঁলোকৰ লগতে তুমিও যোৱাঁ গৈ, তোমাৰ পিতৃৰ অস্থি গঙ্গাত লগোৱাঁগৈ।" যদুমণিয়ে কলে "তমাই ৰাজখোৱাই মোক তোমাৰ লগত দিলে, তোমাক এৰি মই কলৈকো নাযাওঁ। পিতৃৰ অস্থি ৰবং দলিয়াই পেলাম।" এই কথা শুনি পদ্ম আতাই আন যাত্ৰীৰ হাতত যদুমণিৰ পিতৃৰ অস্থি গঙ্গাত লগাবলৈ দি, যদুমণিৰ কান্ধত ভাৰখনি দি দুয়ো গুৰুজনৰ পাশলৈ আহিল। তেওঁ চোৰোচা নৈ পাই, কেশৱ আতাক কলে "আপুনি আগেয়ে যাওক, মই নৈত স্নান কৰি বস্ত্ৰখনি তিয়াই শুকাই লৈ পিছতে যাম।" এই বুলি তেওঁ স্নান কৰি শুচি হৈ সেইদৰে পিছত আহিবলৈ ধৰিলে। গুৰুজনৰ গৃহৰ ওচৰৰ এটি নঙলাই দি খৰিকটীয়া দলৈৰ ঘৰলৈ যায়। এটিয়ে গুৰুজনৰ গৃহলৈ যায়। পদ্ম আতাই দুটি নঙলা দেখি কোনটিয়েদি যাব থিৰ কৰিব নোৱাৰি, নঙলাৰ মুখৰপৰা মাত দিলে "কেশৱচৰণ আতা! কেশৱচৰণ আতা!" গুৰুজনে শুনি কেশৱচৰণক শুধিলে "কোনে মাতিছে ?" কেশৱচৰণে কলে সেই পুৰুষজনে।" মাধৱদেৱে কলে তেওঁক দেখিলে যে চিনিমেই বাক্যতে চিনিছোঁ ; সকলো সেৱকে তেওঁক আগ বঢ়াই আনা গৈ।"

গুৰুজনৰ আজ্ঞা শুনি সকলো সেৱক গৈ "আতা আহক" বুলি মাতি তেওঁক আগবঢ়াই আনিলে। মাধৱদেৱেও দুখোজ আগবাঢ়ি গল। আতাই গুৰুজনৰ চৰণত পৰি সেৱা কৰিলে, গুৰুজনে তেওঁক 'উঠাঁ উঠা' বুলি আশ্বাস দিলে। আতা উঠি একাষৰীয়া হৈ অতি নম্ৰভাৱে বহিল, আৰু লগত অনা জালুকৰ খৈলাখানি যদুমণিয়ে গুৰুজনৰ আগত থলে। মাধৱদেৱে পদ্ম আতাক সুধিলে 'তোমাৰ ঘৰ কত? তুমি কাৰ পুতেক?' আতাই কলে "বাপ, বৰনাৰায়ণপুৰৰ সাওকুচি গ্ৰামত ঘৰ। নৰৰ পুত্ৰ তিতাচোমদাৰ মোৰ পিতৃ। মোৰনাম পদ্ম।' এই কথা শুনি মাধৱদেৱে কলে তেওঁ তিতাচোমদাৰ নহয় চম্পা-চোমদাৰ। তেওঁৰ পদূলিত ভয়ঙ্কৰ চম্পাগছ এজোপা আছে তাৰ ওপৰত উঠিলে লৌহিত্য নদক টনাগাছি যেন দেখি। সেই চম্পাগছৰ চম্পা ফুল সকতে মই পিন্ধিছিলো। চম্পাৰ পাহি সাত আঙুল দীঘল। সেই গছজোপা এতিয়াও আছে নে?" আতাই কলে 'বাপ, তাক সমূলি কাটিলে, সি আৰু নাই।' মাধৱদেৱে কলে "সাওকচি গ্ৰামৰ নাম কলা, সাওদসকলে বাণিজ্য কৰিছিল দেখি তাক সাওকুচি বোলে।" মাধৱদেৱে আকৌ সুধিলে "তুমি মোক কেনেকৈ জানিলা?" আতাই উত্তৰ দিলে 'স্বপ্নত আৰু শাস্ত্ৰত দেখি জানিলোঁ।' আকৌ মাধৱদেৱে কলে "স্বপ্নত দেখিলে জানো কিবা পৰিচয় হয়? স্বপ্নত অষ্টনিধি ভাণ্ডাৰ আগতে পোৱা যায়, সাৰপালে জানো সি থাকে? কি শাস্ত্ৰ দেখি তুমি নিশ্চয় কৰিলা?' আতাই উত্তৰ দিলে "ৰাজসূয় শাস্ত্ৰখনি দেখি আপোনাৰ চৰণ চিনিলোঁ।' মাধৱদেৱে কলে "মই সেইখন পুথিৰ পদ ৰচনা কৰিছোঁ হয। এই জালুক কত পালা? তোমাৰ বেপাৰ আছে নে, ঘৰতে আজিলা?" আতাই কলে "বাপ, মোৰ কৃষিকৰ্ম্মও নাই, বাণিজ্যও নাই, গঙ্গাযাত্ৰী লোকেৰে সৈতে আহিলো, গঙ্গালৈ যোৱা শুনিলে গ্ৰামিক লোকে ইচ্ছা কৰি আনি বস্তু দিয়েহি সেই কাৰণে মই এই বস্তু পালোঁ।" মাধৱদেৱে কলে আনুকাই, তেনে হলে তুমি তীৰ্থলৈ যাব লাগে। আতাই কলে 'বাপ, মোৰ তীৰ্থত কাৰ্য্য নাই, আপোনাৰ চৰণ সেৱি থাকিব পাৰিলেই মোৰ মহা ভাগ্য। গুৰুজনে কলে "তীৰ্থত তোমাৰ কাৰ্য্য নাথাকিব পাৰে, কিন্তু তোমাত তীৰ্থৰ কাৰ্য্য আছে। আতাই কলে 'মোৰ শৰীৰত বাতৰ ব্যাধি আছে, আৰু লগ নাই, মোক কোনে বাট দেখুৱাই নিব?" মাধৱদেৱে কলে "মোৰ হাতত নাৰায়ণ তৈল আছে, লক্ষ্মীনাৰায়ণ ৰজাই সেই তেল মোক দিছিল। মহা উপকাৰী তেল। সেই তেল মই তোমাক লৰলৈ দিম, তুমি চিন্তা নকৰিবা, তোমাৰ শৰীৰ আৰোগ্য হব। কলপা কেশৰী নামে দুজন তীৰ্থযাত্ৰী আছে, তেওঁলোকৰ লগত তুমি গঙ্গাস্নান কৰিবলৈ যাব পাৰিবা।" এই বুলি কলত, আতা বংৰনেৰে থাকিল। তিন দিনৰ মূৰত তেওঁ গঙ্গা-স্নান কৰিবলৈ ওলাই মাধৱদেৱক সেৱা কৰিলত, মাধৱদেৱে তেওঁক কলে "গঙ্গাৰ প্ৰধান ঘাটত তুমি স্নান নকৰিবা, আঁতৰ হৈ আন পিনে স্নান কৰিবা; পাপীৰ ভয়ত প্ৰধান ঘাটত গঙ্গা নাথাকে। আমি পূৰ্ব্বে গঙ্গা স্নান কৰোঁতে তেনেকৈ কৰিছিলোঁ। তুমিও সেইদৰে স্নান কৰিবা। নাভি মাত্ৰ জলত নামি দ্ৰব্য লৈ থাকিবা, গঙ্গাই হাত পাতি নিব। তিনটা লহৰেৰে গঙ্গাই তোমাক স্নান কৰাব। তুমি ভক্তিপৰ হৈ নিৰ্ভয়ে থাকিবা। স্নানান্তে হহকি আহি তীৰত উঠিবা, আৰু নিত্যকাৰ্য্য কৰি শুচি আহিবা।" এইদৰে গুৰুজনাৰ কথা শুনি পদ্ম আতাই যদুমণি আতৈৰে সৈতে তীৰ্থলৈ যাত্ৰা কৰিলে। গধূলি তেওঁলোক এঘৰত আলহী বল। যদুমণিয়ে বহি এই ভটিমা মাতিলে—

> "ব্ৰহ্মা মহেশ্বৰ
> যাকৰ চাকৰ
> তাকেৰি গুণ মুহ লেহ।
> মাধৱ বান্ধৱ
> সাধৱ মুকুতি,
> তাহে চৰণ নিত্য দেহ ॥"

সেই ভটিমা শুনি কলপ আৰু কেশৰী দুয়ো উজাৰি উঠি কলে "ব্ৰহ্মা মহেশ্বৰক চাকৰ বোল তই? তোৰ ইমান সাহ?" পদ্ম আতাক তেওঁলোকে কলে "ইয়াক বাহিৰ কৰি দিয়াঁ, আমি দণ্ড কৰোঁ।" এই বুলি ঘনে ঘনে গজ্জিবলৈ ধৰি কোনোমতে শান্ত নোহোৱা দেখি আতাই যদুমণিৰ পিঠিত হাত দি তেওঁলোকক দেখুৱাই মিছাকৈয়ে প্ৰহাৰ কৰি, তেওঁলোকক চেচা কৰি, ভাবিলে "গুৰুজনে মোক ভাল লগ দিলে!" ৰাতিটো কষ্টৰেনেৰে আতা পৰি বল। ৰাতিপুৱাই যাত্ৰী দুজনে আতাক চলা বুলি যাবলৈ মাতিলত, আতাই তেওঁলোকক কলে "মই এতিয়া যাব নোৱাৰোঁ, মোৰ গা বেয়া, তোমা-লোক দুয়ো আগবাঢ়ি যোৱা। মোৰ ভাগিনৰ নাম জগন্নাথচৰণ, তেওঁ গঙ্গাস্নান কৰি মোক লৈ যাবলৈ বেগতে উভতি আহিব লাগিছে, তেওঁৰে সৈতে মই যাম। তোমালোকে কৃপা কৰি তেওঁক লগ পাই মোৰ এই বতৰা কবা।" এই কথা শুনি কলাপ কেশৰী শুচি গল, আৰু তেওঁলোকে ঘাটত বতে উভতি অহা যাত্ৰী দেখে ততে "কাহা জগন্নাথ-চৰণ?" বুলি সুধি জগন্নাথচৰণক পাই মোমায়েকৰ বাৰ্ত্তা কলে। জগন্নাথে এই বাৰ্ত্তা শুনি লৰালৰিকৈ আহি আতাক ঘাটতে লগ পাই সমাদৰ কৰি গঙ্গালৈ লৈ গল। গঙ্গা পাই আতাই [illegible]

নলমুগুৰীৰ ঘাটত স্নান কৰি সকলো কাৰ্য্য কৰি গঙ্গাতীৰত তিনি দিন থাকি গঙ্গামৃত্তিকা আৰু গঙ্গাজল লৈ উজানলৈ আহিল; তেতেলি আৰু বিচিত্ৰ চেনি বিচাৰি লগত আনিলে। বাটত তেওঁ এটা চকি পালেহি, তাত অনেক লোক আছে। চকিয়ালে আতাক দেখি তাৰ মনত ভক্তিৰ উদ্ৰেক হৈ তেওঁৰপৰা মাচুল নোলোৱাকৈ তেওঁক এৰি দিলত আতাই চকিয়ালক কলে "যদি মোক তুমি দয়া কৰিলা, তেন্তে আৰু অলপ দয়া কৰি নিৰ্ধনী লোক-সকলকো যাবলৈ এৰি দিয়া।" এই কথা শুনি চকিয়ালে সকলো যাত্ৰীকে এৰি দিলে।

বহাগৰ মানুহ-বিহুৰ দিনা কীৰ্ত্তন-ঘৰত তিনি-জোৰা গায়নে গাইছিল। তিনি প্ৰহৰ বেলি গৈছে, এনেতে মাধৱদেৱে হৰিবল্লভ আতৈক শুধিলে, "হৰি-বল্লভ, কেইজোৰা গায়ন বায়নে গালে?" আতৈয়ে কলে "দুজোৰাই গাই অঁতাইছে, এজোৰা আছে।" এই কথা শুনি মাধৱদেৱে কলে "আমি নো কি নাসাধিলোঁ, হৰি-কীৰ্ত্তনতে গোটেইটো দিন গোৱাঁলোঁ।" ঠিক এনে সময়তে পদ্ম আতাই আহি গুৰুজনৰ চৰণত পৰি সেৱা কৰিলে। গুৰু-জনে তেওঁক "উঠাঁ উঠাঁ" বুলি শুনি, শ্ৰীৰাম আতাই কলে "বাপ পাৰত পৰি থাকি তেওঁৰ পথশ্ৰম যাবলৈ দিয়ক।" আতাই উঠি তীৰ্থৰ সেই বস্তুবোৰ গুৰু-জনৰ আগত থলত, গুৰুজনে শুধিলে "কি দ্ৰব্য আনিলা?" আতাই কলে "বাপ, গঙ্গাজল, গঙ্গা-মৃত্তিকা আনিছোঁ; আৰু ভোজনৰ অৰ্থে তেতেলি, পদ্মচেনি পাই আনিলোঁ।" গুৰুৰ বাক্যত গঙ্গা-জলৰ পাত্ৰৰ মুখখন মেলিলত দেখা গল, জল মুখ-লৈকে চপ্‌চপীয়া হৈ আছে। মাধৱদেৱে শুধিলে "গঙ্গাজলত পোহ দি আনিছা নে কি?" আতাই নিবেদন কৰিলে "বাপ, পোহ বা কাক কয় নাজানো।" মাধৱদেৱে কলে "গঙ্গাজল বাটত আনোতে শুকাই আহে, সেইদেখি কোনোৱে কোনোৱে তাত জল ভেজাল দি আনে। এতিয়া জানিলোঁ, তোমাৰ হাতত গঙ্গাজল সম্পূৰ্ণ হৈ আহিল। বজা লক্ষ্মী-নাৰায়ণে এই প্ৰদেশত মোক ধৰ্ম্মৰ বজা পাতিছে; সেইদেখি মই দিনৌ ইমান গঙ্গাজল গঙ্গামৃত্তিকা পাওঁ যে গঙ্গাজলৰ কূপ কৰি তাত স্নান কৰিব পৰা যায়, আৰু মৃত্তিকাৰে দৌল সাজিব পাৰি। কিন্তু এনে গঙ্গাজল আৰু গঙ্গামৃত্তিকা নাপাওঁ।" এইদৰে মাধৱদেৱে আতাক প্ৰশংসা কৰিলে। মাধৱদেৱে আতাক শুধিলে "উজানত তোমাৰ কোন আছে?" আতাই কলে "সি দেশত মোৰ কেও-কিছু নাই।" আকৌ গুৰুজনে শুধিলত আতাই কলে "মাত্ৰ এজনা বৌ-মাতৃ আছে।"

দিনৌ সাতদিন মাধৱদেৱে আতাক সকলো তত্ত্বৰ উপদেশ দি, বাঞ্ছিতৰ বস্তু কীৰ্ত্তন কৰি, এক ভাণ্ডৰপৰা আন ভাণ্ডলৈ যেনেকৈ জল ঢাকে সেইদৰে বল, বীৰ্য্য, পৰাক্ৰম, শক্তি, ভক্তি সকলোকে আতাত থাপনা কৰি, সাত দিনৰ মূৰত তেওঁক কলে "বাপু লৰ-নাতি, তুমি উজানক প্ৰতি যাব লাগে, তাত ধৰ্ম্ম প্ৰকাশ কৰিবলৈ। পূৰ্ব্বে শ্ৰীশঙ্কৰ গুৰুদেৱে মোক উজানলৈ যাবলৈ আজ্ঞা কৰিছিল, সখি নাৰায়ণ দাসে প্ৰাৰ্থনা কৰি মোক ৰাখিলে। সেই আজ্ঞা পালি, এতিয়া তুমি মোৰ গাৰ বদল স্বৰূপ হৈ ধৰ্ম্ম প্ৰকাশ কৰিবলৈ উজানলৈ যোৱাঁ।" আতাই প্ৰাৰ্থনা কৰি জনালে "বাপ, আপোনাৰ পাশত থাকি আপো-নাৰ চৰণ সেৱা কৰি থাকিবলৈ আশা কৰি হে আহিছিলোঁ, আকৌ উভতি সেই দেশলৈ যাবৰ মোৰ ইচ্ছা নাই। আসাম ৰাজ্যৰ কাৰ্য্য সকলো বিষম। মই কেনেকৈ তাত বৰ্ত্তিম।" গুৰুজনে কলে "তুমি ভয় নকৰিবা; তোমাৰ কাৰণে বিষম আসাম সম হব। জানা আগুকাই, সোণকোহৰপৰা কৰ-তিয়া গঙ্গা (কৰতোয়া নদী) এই দুই সীমাৰ ভিতৰৰ দেশ মোৰ, সোণকোহৰপৰা বৰনদীলৈকে এই ডোখৰ মথুৰাদাসৰ আৰু বৰনদীৰপৰা ব্ৰহ্মকুণ্ড-লৈকে এই ডোখৰ তোমাক দিলোঁ। চাৰিখানি শাস্ত্ৰ তোমাৰ লগত দিলোঁ। দশম কীৰ্ত্তন শাস্ত্ৰত শ্ৰীশঙ্কৰ গুৰুক দেখিবা, ঘোষা ৰত্নাৱলী শাস্ত্ৰত আমাক দেখিবা। তোমাত শক্তি, ভক্তি, বল, বীৰ্য্য, পৰাক্ৰম, সকলো সমৰ্পণ কৰিলোঁ। তুমি যোৱাঁ, তোমাৰ লগত পিতা-পুত্ৰে চলি গলোঁ।" মাধৱদেৱে হৰিবল্লভক মাতি কলে "শুনা হৰিবল্লভ, তুমি তাল, মালা, আনা; নামমালিকা শাস্ত্ৰখনি উলিয়াই আনা!" হৰিবল্লভে সেই বস্তু আনি দিলত, মাধৱদেৱে বদুলা আতাক কলে "এই মালা শ্ৰীশঙ্কৰ গুৰুজনে সেৱা কৰা মালা, মোক দিছিল, ইমান দিন মই সেৱা কৰি আছিলোঁ; এতিয়া তোমাক দিলোঁ, তুমি সেৱা কৰি থাকিবা। এই জোৰ মন্দিৰা তালেৰে শ্ৰীশঙ্কৰ গুৰুৱে নাম গাইছিল, সেৱা কৰি থাকিবৰ নিমিত্তে মোক দিছিল, আজি এই তাল তোমাক দিলোঁ। গুৰুজনৰ এই বস্তুবোৰ তুমি সেৱা কৰি থাকিবা। তুমি মোৰ সেৱকসকলৰ ভিতৰত আঁত-মছা নুমলীয়া। নামমালিকা শাস্ত্ৰখনো মোৰ তেনেকৈ আঁত-মছা নুমলীয়া। নামমালিকা গ্ৰন্থ ৰচনা কৰিয়েই কাপ-কাঠী এৰিছোঁ। শেষত সেৱকশ্ৰেষ্ঠ তোমাক পালোঁ; তোমাতে সীমা। পূৰ্ব্বে দুবাৰ এই শাস্ত্ৰ উজানলৈ পঠিয়ালোঁ, দুইবাৰ পানীত নষ্ট হল। এই বাৰ এই শাস্ত্ৰ তোমাত হন্তে প্ৰচাৰ হব। এই শাস্ত্ৰ, বিষ্ণু, যদুমণি আৰু গাভৰু থাঁক দিবা; তেওঁ-লোকে লেখি ললে আদিখন তোমাৰ লগত ৰাখিবা।" পদ্ম আতাই মাথা পাতি সকলো লৈ শেহত প্ৰাৰ্থনা

কৰিলে "বাপ, ভক্তবৎসক যেন পাম, যাক ভকতক পাই প্ৰাণাধিককৈ পুহি ৰাখিব পাৰিম।" এই কথা শুনি মাধৱদেৱে কলে "শুনা নৰনাতি, অতকাল এই ভক্ত-বৎসক কোনেও প্ৰাৰ্থনা কৰা নাছিল; কোনেও বাঞ্ছা নকৰা বৎসক পাবলৈ তুমি প্ৰাৰ্থনা কৰিলা। তুমি যেনে বাঞ্ছা কৰিলা তেনে সিদ্ধি হব; তুমি ভকতক পাবা, আৰু ভকত তোমাহন্তে সুখী হব।" মাধৱদেৱে আকৌ বদুলা আতাক কলে "মোক তুমি পূৰ্ণ দেখা নাই; বিষ্ণু, মথুৰাদাস, আৰু সখাক দেখিলে আৰু ভৱানীপুৰীয়া গোপালক দেখিবা যেতিয়া তেতিয়া হে মোক সম্পূৰ্ণ দেখিবা।" এই দৰে মাধৱদেৱে বদুলা আতাক বিদায় দিলে। গুৰুজনে কলে "হৰিবল্লভ, আজি একাদশীৰ দিন, বেঙ্গিনী কল, সন্দেশ এক পোহাকৈ সেৱকসকলক দিবা; নৰনাতিক তিনি পোহা দিবা। শুনা আমুকাই, তিনি পৰীয়া সবৈদুৱাৰ পাই তাতে নাও ৰাখি সন্দেশ ভোজন কৰিবা।" বদুলা আতাই সনোতক নয়নে মাধৱদেৱৰ চৰণত পৰি সেৱা কৰি বিদায় লৈ গল। গুৰুজনে তেওঁক দুখোজ আগবঢ়াই থলে, আৰু ভকতসকলে গুৰুজনৰ আজ্ঞাত আতাক কিছুদূৰ আগবঢ়াই থলেগৈ। বদুলা আতাই যিমানদূৰ পৰ্য্যন্ত গুৰুজনক দেখিছিল, সিমান বাট গুৰুজনৰ ফালে পিঠি দি হুহকি গৈ আছিল। গুৰুজনক নেদেখা হলত হে তেওঁ ঘূৰি যাবলৈ ধৰিলে। বদুলা আতা গলত, বেহেৰীয়া বিষ্ণু আতাই কান্দিবলৈ ধৰিলে। গুৰুজনে "বিষ্ণু কিয় কান্দিছা" বুলি শুধিলত, বিষ্ণু আতাই কলে "পুৰুষজনকনো চাউল একঠিয়ে নাটিলেহেঁতেন নে? ইমান সোনকালে অকলৈ তেওঁক পঠিয়াই দিয়া হল।" এই কথা শুনি মাধৱদেৱে বিষ্ণুক কলে "আমি পিতা পুত্ৰ সমন্বিতে তেওঁৰ লগত গলোঁ। আমাৰ বাহ হে আছে, শাহ গল। তেওঁৰ চাউল তিনিউ ৰাজ্যৰ লোকে খাব।" এই বুলি মাধৱদেৱে সিংহৰ পোৱালিৰ দৃষ্টান্ত কলে,—"এজনী গৰ্ভিনী সিংহিনী এখন বনত আছিল। তাই এদিন এটা পৰ্ব্বতৰপৰা আন এটা পৰ্ব্বতলৈ লাফ মাৰি যাওঁতে এটা পোৱালি প্ৰসৱ কৰিলে। পোৱালিটো দুই পৰ্ব্বতৰ মাজতে পৰি ৰল। জন্তুবোৰে সিংহৰ পোৱালিটি সেইদৰে পৰি থকা দেখি, সিংহৰ পোৱালি বুলি তাক সকলোবোৰে যোগান ধৰিলে। এতিয়া নৰৰ-নাতিও তেনে।" এই দৃষ্টান্ত শুনি বেহেৰীয়া বিষ্ণু আতাই শোক পৰিহাৰ কৰি আনন্দ কৰিলে।

বদুলা আতাই ভুলত সবৈদুৱাৰ এৰি গৈছিল। এনেতে বুঢ়ী এজনী ওলাই তেওঁক কলে "আতা, তুমি সবৈদুৱাৰ এৰি আহিলা; গুৰুবাক্য পৰে।" এই কথা শুনি আতাই নাওখন পিছু ঘোহোকাই নি সবৈদুৱাৰ পাই তাতে সেই সন্দেশ ভোজন কৰিলে।

কাঠনি পাই যাতা ৰৱবিষ্ণু যাতাৰ পাশলৈ গৈ তাত সাত দিন আছিল। সেই সাত দিন ৰৱবিষ্ণু যাতাই দিনে ৰাতিয়ে হৰিকীৰ্ত্তন কৰিছিল। যদুমণিৰ মুখে, গুৰুজনে কোৱা নাম-মালিকা পুথিৰ কথা শুনি পুথিখন তেওঁ লেখি ললে। ইয়াৰ পিছত কিছুদিনৰ মূৰত বদুলা আতাই নাৰায়ণপুৰ পালেগৈ।

একত্ৰিংশ অধ্যা

মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণ

এদিন কেশৱচৰণ আতাই মাধৱদেৱক শুধিলে "বাপ, হৰিহৰ আতা কলৈ গল?" মাধৱদেৱে তেওঁৰ বিষয়ে সকলো কৈ কলে "তেওঁ বিলৰ পাৰত ঘৰ সাজি তাতে বৈৰাগ্য ভাৱে ধৰ্ম্মক আচৰি আছে।" কেশৱ আতাই কলে "বাপ, মোক তালৈকে যাবলৈ আজ্ঞা দিয়ক, মই পাৰোঁ যদি তেওঁক লৈ আহোঁগৈ।" গুৰুজনে কলে "কেশৱচৰণ, তুমি কত পাৰিবা হবলা।" কেশৱ আতাই কলে "যাওঁচোন চেষ্টা কৰি চাওঁ।" এই বুলি তেওঁ গুৰুজনৰ ওচৰত বিদায় লৈ হৰিহৰ আতা থকা ঠাইলৈ গল। চেপেটীয়াৰ পাৰত বহি কেশৱচৰণ আতাই হৰিহৰ আতাক বিচাৰিযাই মাতিলত বালক এটিৰ মুখে শুনি হৰিহৰ আতাই নাওখনি লৈ গৈ কেশৱচৰণ আতাক পাৰ কৰি আনিলে। দুইজনে পৰস্পৰে পৰস্পৰক লগ পাই পৰম আনন্দিত হল। কেশৱ আতাই হৰিহৰ আতাক শুধিলে "তুমি গুৰুজনৰ সঙ্গ এৰি ইয়াত অকলৈ থাকা কিয়?" হৰিহৰে আচৰিত মানি কলে "কোনে কলে মই অকলশৰে থাকোঁ? সেইখন কঠ পৰা আছে, ইয়াতে গুৰুজনৰ সঙ্গত মই মহাসুখত বহি কৃষ্ণকথা আলাপ কৰি আছিলোঁ। তুমি অহাৰ আগেয়ে হে গুৰুজন উঠি গৈছে।" কেশৱ আতাই দেখিলে তেওঁৰ ওচৰত কঠ এখন পৰা আছে হয়। সেইদিনা ৰাতি কেশৱ আতাই হৰিহৰ আতাৰ লগতে প্ৰীতি সুখত থাকি, পিছদিনা স্নান ভোজন কৰি আহিবৰ সময়ত আকৌ হৰিহৰ আতাক কলে "তুমি গুৰুজনৰ ওচৰলৈ বলা তেওঁৰ সঙ্গত হে তোমাৰ থকা উচিত।" এই কথা শুনি হৰিহৰ আতাই ৰাগ প্ৰকাশ কৰি কলে "তুমি স্বদেশী বুলি তোমাৰ কথা মই সহিলোঁ। মই গুৰুজনৰ সঙ্গত নাই বুলি আকৌ তুমি কিয় কলা?" এই উত্তৰ শুনি কেশৱচৰণ আতাই বিদায় লৈ আহিলত হৰিহৰ আতাই আকৌ তেওঁক বিলখন পাৰকৈ থলে। মাধৱদেৱৰ ওচৰত কেশৱচৰণ উপস্থিত হলত, মাধৱদেৱে তেওঁক শুধিলে "কি হল, কি বুজিলা?" কেশৱ আতাই সকলো বৃত্তান্ত কৈ কলে "বাপ, আপোনাৰ মহিমা কি বুজিম; হৰিহৰ আতাই যেনে দেখালে তেনে আগতে পালোঁ।"

ইয়াৰ পিছত মাধৱদেৱৰ তেওঁৰ কাৰ্য্য শেষ হ'ল জানি উদাস মনেৰে বেহাৰতে আছিল। ৰজাই সদায় তেওঁক মতাই নি কৃষ্ণ-যশবাণি শ্ৰৱণ কৰি পৰমানন্দত মজি থাকে; কৃষ্ণকথা বিনে ৰজাৰ আন একো চিন্তা নোহোৱা হ'ল। কৃষ্ণৰ লীলা সমূহৰ বিস্তাৰিত ব্যাখ্যান, ভাগৱতীধৰ্মৰ তাৎপৰ্য্য, ইত্যাদি দিনৌ শুনি মাধৱদেৱত শৰণ লবৰ নিমিত্তে ৰজাৰ মন আকুল হৈ পৰিল। আইধায়ে ৰজাৰ এই পৰিবৰ্ত্তন দেখি পৰম আনন্দিত হ'ল। ৰজাই শ্ৰীশঙ্কৰদেৱৰ গুণ যশবাণি শুনিবলৈ অত্যন্ত আগ্ৰহ প্ৰকাশ কৰাত মাধৱদেৱে বিবৰি সমস্তকে কলে। ৰজাৰ মন শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্ম লাভ কৰিবৰ নিমিত্তে ব্যাকুল হৈ পৰিল। এদিন ৰজাই সভাতে মাধৱদেৱক প্ৰাৰ্থনা কৰিলে যে তেওঁক শৰণ দিব লাগে। এই কথা শুনি মাধৱদেৱে ৰজাক মৃদুভাৱে কলে, "মহাৰাজ, ৰজাৰ শৰণ নাই। অন্য দেৱ-দেৱী নুপূজিলে ৰজাৰ বিঘিনিৰ আশঙ্কা আছে। পূৰ্ব্বে আপোনাৰ পিতৃ নৰনাৰায়ণ ৰজাক শৰণ নিদিবৰ নিমিত্তেই শ্ৰীশঙ্কৰ গুৰুদেৱ পৃথিৱী এৰি চলিল। এতেকে মই আপোনাক শৰণ লগাব নোৱাৰিম, আপুনি মোক ক্ষমা কৰিব।" ৰজাই অতি বিনয় সহকাৰে কলে "মই আন দেৱ দেৱী কদাচ পূজা নকৰো; এতেকে কৃপা কৰি মোক কৃষ্ণ-দেৱৰ চৰণত শৰণ কৰাওক।" এইদৰে ৰজাই নেৰানেপেৰাকৈ ধৰিলত, মাধৱদেৱে এৰাব নোৱাৰি ৰজাক কলে "বাৰু আজি যাওঁ, ঈশ্বৰৰ ইচ্ছা হয় যদি আপুনি কাইলৈ শৰণ পাব।" এই বুলি মাধৱদেৱে ভেলা থানলৈ বিষাদিত মনেৰে আহিল। আইধায়ে মনত বৰ আনন্দ পাই ৰজাক ব্ৰতে উপ-বাসে ৰাখিলে। পিছদিনা পূৰ্ব্বাহ্ণকালত গুৰুজন ৰজাক শৰণ কৰাবৈল নহা দেখি আইধায়ে গুৰুজনক আনিবলৈ বুঢ়াভগীয়াক পঠিয়াই দিলে। গুৰুজনে বুঢ়াভগীয়াক কলে "মোৰ শৰীৰ মন্দ, কেনেকৈ যাম; তুমি আইধাইক কবা মই যাব নোৱাৰো বুলি।" বুঢ়াভগীয়াই উভতি আহি আইধাইক এই কথা জনালত, আইধায়ে লৰালৰিকৈ নতুন দোলা এখন গুৰুজনক আনিবলৈ পঠিয়াই দি কৈ পঠিয়ালে যে "দোলাত উঠি বেগ গুৰুজন কৃপা কৰি আহে। ৰজাই ব্ৰতে উপবাসে থাকি কষ্ট পাইছে।" মাধৱ-দেৱক বুঢ়াভগীয়াই আকৌ আহি এই কথা জনালত, তেওঁ কলে "কোচৰ কুচুনীয়ে মোৰ শৰীৰৰ অৱস্থা একোকে নুবুজে; বাৰু যাব লাগে যদি ভালকৈয়ে যাওঁ।" এই বুলি তেওঁ হৰিবল্লভক কলে "হৰি-বল্লভ, শীঘ্ৰে তুমি নতুন বস্ত্ৰ এখন দিয়াঁ, কমণ্ডলুত জল আনা আৰু অজিনাত শয্যা কৰাঁ।" হৰিবল্লভে তেনেকৈ সকলো দিহা কৰি দিলত, মাধৱদেৱে মুখ প্ৰক্ষালন কৰি নতুন বস্ত্ৰ পৰিধান কৰিলে। সেৱক-সকলে দেখি ভাবিলে গুৰুজন ৰজাৰ ঘৰলৈহে যাবলৈ ওলাইছে। তাৰ পিছত মাধৱদেৱ শয্যাত বহি যোগাসন কৰি বৈ, মুখেৰে মাত্ৰ হৰি হৰি উচ্চাৰণ কৰিবলৈ ধৰিলে। সেৱকসকলে তেতিয়াহে বুজিলে যে গুৰুজন চলিব। ৰামচৰণ ঠাকুৰে কান্দি মোমা-য়েকক সাবট মাৰি ধৰিলেগৈ। সেৱকসকলে মুহুৰ্মুহু হৰিধ্বনি কৰিবলৈ ধৰিলে। ১৫১৮ শকৰ ভাদ মাহৰ কৃষ্ণ পক্ষৰ পঞ্চমী তিথি বেলা ডেৰপৰত মহাপুৰুষ মাধৱদেৱে ৰাম ৰাম উচ্চাৰণ কৰি পৰমা-ত্মাত আত্মাক স্থাপন কৰি ব্ৰহ্মত লীন হৈ মানৱলীলা সম্বৰণ কৰিলে। ভকতসকলে বিষাদিত মনেৰে কিছুক্ষণ নিজমে পৰি থাকি হৰি বোল কৰিবলৈ ধৰিলে।

মাধৱদেৱৰ চলাৰ বাতৰি বুঢ়াভগীয়াই গৈ ৰজাক কলত, ৰজা আৰু আইধাই বিমূৰ্চ্চিত হৈ পৰিল। অলপ বেলিৰ মূৰত ৰজাই সংজ্ঞা পাই, শোক কৰি কান্দি কবলৈ ধৰিলে "হৰি হৰি! মই কোচ ম্লেচ্ছ দেখি গুৰুজনে মোক শৰণ দিব লাগে বুলি পৃথিৱী এৰি গ'ল।" কতোবেলিৰ মূৰত আইধায়ে ৰজাক কলে "বাপু, এতিয়া তোমাৰ কৰ্ত্তব্য কাৰ্য্য কৰিব লাগে; গুৰুজনৰ কাষ্ঠ-সংস্কাৰৰ নিমিত্তে, আগৰ চন্দন কাষ্ঠ, ঘৃত ইত্যাদি যি যি বস্তুৰ আৱশ্যক পঠিয়াই দিয়া।" এই কথা শুনি ৰজাই ৰাজভঁৰালৰ পৰা সকলো দ্ৰব্য দি কাজীক পঠিয়াই দিলে। কাজীয়ে টোৰোচাৰ বালিত ঠাই অঁতোৱাই চিতা সজাই দিয়ালে আৰু ওচৰতে সেৱকসকলৰ নিমিত্তে চৈৰ ঘৰ এটি সজাই দিয়ালে। সেৱকসকলে চতু-ৰ্দ্দোল এখন কৰি গুৰুজনক ধৰি তুলিলে। ৰামচৰণ ঠাকুৰ, বলাই, নৰহৰি আৰু মুকুন্দ আতৈয়ে কান্ধত লৈ সকলো সেৱকৰে সৈতে মহা সমাৰোহ কৰি হৰিধ্বনি কৰি গৈ শৱ চিতাত তুলিলত, ৰামচৰণ ঠাকুৰে মুখাগ্নি কৰিলে। সকলো সেৱকে চাৰিউ-ফালে বেঢ়ি উচ্চ হৰিবোল কৰিলে, সেই বোল আকাশ লঙ্ঘিব উঠিল।

এনে সময়ত এটি আচৰিত ঘটনা ঘটা, চৰিত্ৰত কয়;—ৰজাৰ পানীভাৰী এটাই এই সময়তে এভাৰ পানী লৈ যাওঁতে মাধৱদেৱক শ্ৰীৰাম আতাৰে সৈতে যোৱা দেখি পানীৰ ভাৰখন থৈ সেৱা কৰিলে। শ্ৰীৰাম আতাই পানী-ভাৰীক খুজি সেই ভাৰৰে অলপ পানী তেওঁৰ কমণ্ডলুত ভৰাই দিবলৈ কৈ, কমণ্ডলুটি পাতিলত, ভাৰীয়ে তাত পানী ভৰাই দি গল। পিছৰ ঘৰ পাই ৰজাক শোক কৰা দেখি আইধাইক কাৰণ শুধিলত, গুৰুজন ঢুকুৱাৰ বাতৰি শুনি সি ককে "কোনে কলে? মহয়; মই এতিয়াই গুৰু-জনক বাটত পাই আহিছোঁ; তেখেতে শ্ৰীৰাম আতাৰে সৈতে যাব লাগিছে। শ্ৰীৰাম আতাই মোক

পানী খুজিলত, মই তেওঁৰ কমণ্ডলুত পানী ভৰাই দি আহিছোঁ ; আপোনাসকলে চাওক মোৰ ভাৰৰ পানী কমি আহিছে।" এই কথা শুনি ৰজাই পানী-ভাৰীক ধন্য ধন্য কৰি কলে "তোৰ ধন্য ভাগ্য। তই গুৰুজনৰ দৰ্শন পালি।" এই বুলি ৰজাই ভাৰৰ সেই অৱশেষ জল মূৰত লৈ, পান কৰি শোক পৰিত্যাগ কৰিলে। ইয়াৰ পিছত ৰামচৰণ ঠাকুৰে বৰপেটালৈ আহি ঠাকুৰসকলক আৰু সেৱক-সকলক জান দি, পুনু আতাকে প্ৰমুখ্য কৰি সকলো সেৱকেৰে সৈতে একত্ৰ হৈ বৰপেটা সত্ৰত মহা সমাৰোহ কৰি মাধৱদেৱৰ শ্ৰাদ্ধ হৰিকীৰ্ত্তন আদি মহামহোৎসৱ সমাপন কৰিলে। শঙ্কৰদেৱৰ ভাৰ্য্যাই মাধৱদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ বাৰ্ত্তা শুনি শোকত ম্ৰিয়-মাণ হল, তেওঁৰ মুখৰ বদন হৰিল। অনেক দিন-লৈকে তেওঁ মহাশোকাকুলা হৈ ক্ৰন্দন কৰি আছিল। বদুলা আতাই গুৰুজন চলাৰ বাৰ্ত্তা পাই শোকাকুল হল। তেওঁ সাৰ্তদিনীয়াকৈ মহাসমাৰোহ কৰি গুৰুজনৰ তিথি মহোৎসৱ কৰিলে। সেইদৰে সকলো সেৱকে স্থানে স্থানে গুৰুজনৰ তিথি মহোৎসৱ সম্পন্ন কৰিলে।

অষ্টাত্ৰিংশ অধ্যায়

বদুলা আতাৰ চৰিত্ৰ শেহছোৱা

চমৰিয়াত বৰবিষ্ণু আতাই বদুলা আতাৰপৰা "নাম মালিকা" পুথি পাই পুথিখন নকল কৰি লৈ থাঁতালত, বদুলা আতা তাৰপৰা উজাই আহি অনু-ক্ৰমে দিকৰংনৈত সোমালহি। দিকৰঙৰ ঘাটত তেওঁ নাও বান্ধি তাতে ৰাতি থাকিবৰ দিহা কৰিছে, এনেতে বদুলা আতাৰ ভতিজাক কৰুণাময় নাৰায়ণ-পুৰৰপৰা আহি তাতে ওলালহি। কৰুণাময়ে খুৰাকক দেখি আনন্দত পুলকিত হৈ আঠুকাঢ়ি সেৱা কৰি কলে "খুৰা, ইয়াত থাকিব নালাগে, উঠি ঘৰলৈ আহক।" বদুলা আতাই কলে "কৰুণাময়, ঘৰত মোৰ কোনো প্ৰয়োজন নাই, মই ঘৰলৈ উঠি যাব নোখোজোঁ। বৌ-মা ভালে আছেনে, কেৱল মোক সেই বাতৰিটো কোৱাঁ।" কৰুণাময়ে কলে "আই ভালে আছে; কিন্তু আপুনি কৃপা কৰি ঘৰলৈ আহিবই লাগিব, আমাক নৈৰাশ নকৰিব, নহলে মই মৰণান্তিক দুখ পাম আৰু আয়েও পাব। আৰু ঘৰত বি আশঙ্কাৰ কাৰণ আছে, সেই কাৰণ মই মই এতিয়াই আঁতৰ কৰি দিম।" এইদৰে নানা কাকতি কৰি কৰুণাময়ে আতাক ধৰিলত তেওঁৰ ওপৰত আতাৰ কৃপা সঞ্চাৰিল, আতা যাবলৈ সম্মত হল। আতা ঘৰলৈ যাবলৈ সম্মত হলতে কৰুণাময়ে কলে "মই আগবাঢ়ি গৈ এতিয়াই শঙ্কাৰ কাৰণ দূৰ কৰি আপোনাক আগবঢ়াই লৈ যামহি।" এই বুলি কৰুণাময়ে বেগাই গৈ খুৰীয়েকক কলে "খুৰি, তোমাৰ পিতৃৰ ঘৰ নবীয়া, যদি তেওঁক চাব খোজা, তেন্তে এতিয়াই লৰালৰিকৈ যোৱাঁ।" এই কথা শুনি খুৰীয়েক যেনে আছিল তেনেকৈয়ে বাপেকৰ ঘৰলৈ লৰি গল। তেওঁ গৈ দেখিলে যে বাপেক সূৰ্য্যবাটে চোতালতে বহি আছে, তেওঁৰ কোনো নবীয়া নাই। গধূলি বেলিকা জীয়েক সেইদৰে অহা দেখি বাপেকে আচৰিত মানি জীয়েকক তাৰ কাৰণ শুধিলত জীয়েকে তেওঁৰ আতুৰ নবীয়াৰ কথা কৰুণাময়ৰ মুখে শুনি লৰি আহিল বুলি কলত, সূৰ্য্যবাটেয়ে কথাটো ততালিকে বুজি জীয়েকক কলে "অ' বুজিলোঁ, লৰৰনাতি গোসাঁই পাইছেহি? সেইদেখি কৰুণাময়ে তোক সেইদৰে কৈ ঘৰৰপৰা পঠিয়াই দিলে। আই, আৰু তই তালৈ যাব নেলাগে, মোৰ ঘৰতে থাক।"

ইয়াৰ পিছত কৰুণাময়ে বদুলা আতাক তেওঁ-লোকৰ ঘৰলৈ লৈ গলহি। বৌয়েকে আতাক দেখি বৰ আনন্দ পালে; আতাও তেওঁৰ ভকতসকলেৰে সৈতে ৰাতি তাতে থাকিল।

পিছদিনা পুৱাই বদুলা আতাই তেওঁৰ ঠাই কলানিভোটিলৈ যাবৰ উদ্যোগ কৰা দেখি বৌ-মাকে তেওঁক কলে "তুমি স্নান কৰি ভোজন কৰি যাবা।" আতাই বৌমাকক কলে "স্বৰূপ কথা কবলৈ গলে, গল ৰাতিটো অতিথিৰ দৰে মই ইয়াত আছিলোঁ, আৰু ইয়াত নাথাকোঁ, আৰু অভক্তৰ ঘৰত মই ভোজন নকৰোঁ।" এই কথা শুনি বৌ-মাকে কলে "আমাক দুইকো তুমি ধৰ্ম্মক ধৰোৱাঁ, আমি ধৰ্ম্মক ধৰোঁ।" আতাই কলে "সি কেনেকৈ হব। কনিষ্ঠই জ্যেষ্ঠক কেনেকৈ ধৰ্ম্ম দিব। কলানিভোটিত হৰিচৰণ আছে, তালৈকে মই এতিয়া যাওঁ।" এই বুলি আতা কলানিভোটিলৈ আহিল। হৰিচৰণে আতাক পাই পৰম আনন্দিত হল; আতাইও হৰি-চৰণক আশ্বাস আৰু স্নেহ সম্ভাষণ কৰিলে।

বদুলা আতা কলানিভোটিত থাকোঁতেই অনেকে আহি তেওঁৰ ওচৰত ধৰ্ম্মক ধৰিলেহি। জয়কৃষ্ণ নামেৰে এজনে ফান্দ পাতি চিৰিকা পাতি দিনৌ চৰাই ধৰি ফুৰে। এদিন তেওঁ সেইদৰে কিছুমান চৰাই ধৰি লৈ যাওঁতে আতাই তেওঁক দেখি সেই কাৰ্য্য যে অন্যায় সেইটো মধুৰ বচনেৰে তেওঁক বুজাই দি, চৰাইবোৰ এৰি দিলে। সেইদিনাৰপৰা জয়কৃষ্ণই তেনেকুৱা হিংসাবৃত্তি পৰিত্যাগ কৰি পাগ-প.তিজা পেলাই বুড়ে-উপবাসে থাকি শুচি সন্নৱন হৈ আতাৰ ওচৰত শৰণ লৈ পৰম ভকত হল। জয়কৃষ্ণৰ পিতৃ ভকত দাসেও সেইদৰে আতাৰ ওচৰত

শৰণ ললে। শলখলৈ গৈ গাভৰু থাঁক, আতাই গুৰু বাক্য মতে "নাম মালিকা" শাস্ত্ৰ দিলত, গাভৰু গাঁই আতাক অনেক যত্ন আৰু শুশ্ৰূষা কৰি শাস্ত্ৰখন লেখি ললে। শলখতো অনেকে আতাৰ পৰা ধৰ্ম্মক ধৰিলে। শলখৰপৰা আতা আকৌ কলানিলৈ আহি নাম ধৰ্ম্ম প্ৰকাশ কৰি বল।

এদিন জগন্নাথচৰণে গোপালদেৱৰ থানত শুনি আহিল যে মহাপুৰুষ গুৰু মাধৱদেৱ বৈকুণ্ঠ প্ৰয়াণ কৰিলে। এই বাতৰি শুনি বদুলা আতাই পৰম শোকাকুল হৈ, গুৰুজন চলা সকলো বৃত্তান্ত ভালকৈ জানি আহিবলৈ জগন্নাথচৰণক আকৌ ভেতিয়াই গোপালদেৱৰ ওচৰলৈ পঠিয়াই দিলে। গোপাল-দেৱে ভাটাৰপৰা অহা যাত্ৰীৰ মুখৰপৰা যেনে যেনে প্ৰকাৰে গুৰুজন চলা বাতৰি শুনিছিল সকলোবোৰ জগন্নাথচৰণৰ আগত কৈ পঠিয়ালত সেই মতে জগ-ন্নাথচৰণে বদুলা আতাক কলে। আতাই ঠিক বাতৰি শুনি বিমূৰ্চ্ছিত হৈ পৰিল। কিছুমান বেলিৰ মূৰত তেওঁ চেতনা পাই অনেক খেদ কৰিবলৈ ধৰিলে। ইয়াৰ পিছত আতাই সকলো ভকতেৰে সৈতে সাত দিন সাত ৰাতি গুৰুজনৰ হৰিকীৰ্ত্তন মহামহোৎসৱ তিথি সম্পাদন কৰিলে।

ইয়াৰ পিছত আতাই গুৰুৰ বাক্য স্মৰণ কৰি সাধুসকলক দৰ্শন কৰি ভালকৈ আলাপ পৰিচয় কৰি আহিবৰ নিমিত্তে বৰ-সন্দিকৈক নাও খুজি লৈ কামৰূপলৈ ভটিয়াই গৈ বৰপেটা পাই বৰপেটা থানৰ ঘাটত নাও বান্ধিলে। বৰপেটা থানৰ অধিকাৰ বুঢ়া আতাই "উজানৰ বাপুৰৱ" আহিছে বুলি শুনি ভকতসকলেৰে সৈতে তেওঁক আগবঢ়াই নিবলৈ আহিল। দুইজন আতাই দুইকো দেখি প্ৰেমাকুল হল। বুঢ়া আতাৰে সৈতে বদুলা আতা গৈ যেতিয়া নামঘৰৰ দুৱাৰমুখ পালেগৈ তেতিয়া বুঢ়া আতাই বদুলা আতাক আগেয়ে তাত প্ৰৱেশ কৰিবলৈ কলত, বদুলা আতাই বুঢ়া আতাক কলে "আপুনি হে আগ হব লাগে।" বুঢ়া আতাই কলে "নহয় তোমোৰাত হে গুৰুজনে সৰ্ব্ব শক্তি স্থাপন কৰি, তোমোৰাক হে গাৰ বদল পাতি গৈছে, এতেকে তোমোৰা হে আগ হব লাগে।" বদুলা আতাই কলে, "তথাপি আপুনি হে আগ হব লাগে, কাৰণ গুৰু-জনে আপোনাৰ শিৰত মালতীৰ মালা দি সাতবাৰ আশীৰ্ব্বাদ কৰি আপোনাক মথুৰানগৰ বৰপেটাৰ যুৱৰাজ পাতি, নিজে নাগেৰি টকা দুটি কৰ দি গৈছে; এতেকে আপুনি হে আগ হব লাগে।" এই কথা শুনি বুঢ়া আতাই কলে "জানা বাপুৰৱ, গুৰুজনে মোক সাতবাৰ আশীৰ্ব্বাদ দিলে হয়, কিন্তু সেই আশীৰ্ব্বাদ মই তোমাক দিলোঁ; তুমি মোক এবাৰ আশীৰ্ব্বাদ দিয়া।" এইবুলি বুঢ়া আতাই কলত, বদুলা আতা মৌন হৈ থকা দেখি, বুঢ়া আতা মন্দিৰৰ ভিতৰত প্ৰথমতে প্ৰকাশ কৰিলে, আৰু তেওঁৰ পিছত বদুলা আতা প্ৰৱেশ কৰি, হৰিক বন্দনা কৰি দুয়ো প্ৰেমত পুলকিত হল। বুঢ়া আতাই বদুলা আতাক থাকিবৰ নিমিত্তে যথাযথ ঠিক কৰি দিলত, বদুলা আতা বৰপেটা থানতে কিছু দিন আনন্দ মনেৰে বল।

ইয়াৰ পিছত বদুলা আতাই শ্ৰীশঙ্কৰদেৱৰ পত্নী আৰু পুত্ৰ নাতিসকলেৰে সৈতে সাক্ষাৎ কৰি আকৌ বৰপেটালৈ উভতি আহিল। তাৰ পিছত ঠাকুৰ আতাৰে সৈতেও বদুলা আতাই দেখাসাক্ষাৎ কৰিলে। সাতদিন ঠাকুৰ আতাৰ থানত থাকি তেওঁ ঠাকুৰ আতাৰে সৈতে হৰিকথা আলাপ কৰি পৰম প্ৰীতি লভি আকৌ বৰপেটালৈ উভতি আহিল। ইয়াৰ পিছত বদুলা আতাই ভৱানীপুৰলৈ গৈ গোপাল আতাৰ পাশ পালত গোপাল আতাই তেওঁক অনেক সমাদৰ কৰি সাত দিন ৰাখি, ভক্তিতত্ত্বৰ কথাৰ আলাপ কৰি বিদায় দিলত তেওঁ আকৌ বৰপেটালৈ উভতি আহিল। তাৰ পিছত ৰামচৰণ ঠাকুৰৰ থানলৈ গৈ আতাই তেওঁৰে সৈতে আলাপ কৰি আকৌ বৰপেটালৈ আহিল। এইদৰে আতাই সাধু মহন্তসকলেৰে সৈতে দেখা কৰি আহি বৰপেটা থানত থাকোঁতেই গুৰুজনৰ সাম্বৎসৰিক কীৰ্ত্তন পালেহি। ভৱানীপুৰীয়া গোপাল আতা, বৰবিষ্ণু আতাকে আদি কৰি সকলো কীৰ্ত্তনত উপস্থিত, কিন্তু ঠাকুৰ আতা নাই। তাৰ কাৰণ অনুসন্ধান কৰি তেওঁলোকে জানিবলৈ পালে যে ঠাকুৰ আতাৰ নৰীয়া। এই বাৰ্ত্তা শুনি ঠাকুৰ আতাৰ থানলৈ বৰবিষ্ণু আতা, বুঢ়া আতা আদি সকলো গল, বদুলা আতাও গল। ঠাকুৰ আতাই সকলোকে আদৰ কৰি কুশল বাৰ্ত্তা আৰু গুৰুজনৰ কীৰ্ত্তনৰ বাৰ্ত্তা সুধিলে, আতাসকলেও ঠাকুৰ আতাক সকলো বিশেষ ভাৱে কৈ তেওঁৰ নৰীয়াৰ বাতৰি লৈ নিজৰ নিজৰ থানলৈ উভতি আহিল, বদুলা আতাও বৰপেটা থানত ৰলহি। এদিন বদুলা আতা ঠাকুৰ আতাৰ ওচৰত বহি থাকোঁতে, তাতে কেশৱচৰণ আতা ওলালহি। ঠাকুৰ আতাই কেশৱচৰণ আতাক কলে "তুমি গুৰুৰ অস্থি গঙ্গাত নগাবলৈ গৈছিলা, উভতি আহোঁতে ইমান পলম হল কিয়?" এই বুলি ঠাকুৰে আতাই বদুলা আতাক কলে "শুনা আনুকাই, তুমি কেশৱচৰণক লগত লৈ যোৱাঁ। কেশৱচৰণক তুমি যত্ন শুশ্ৰূষা কৰি ৰাখিবা।"

ইয়াৰ পিছত বদুলা আতাই উভতি আহি তেওঁৰ ঠাই কলানিতেই পালেহি; সকলো ভক্ত লোকে তেওঁক আগবঢ়াই দি পৰম সন্তোষ লাভ কৰিলে, আৰু বৰপেটা আদি থানৰ বাতৰি শুনি কৃতকৃত্য

হল। ইয়াত থাকোঁতেই বাঢ়ৈ আতৈ, সাৰঙ্গপাণি, মুকুন্দ, মুৰাৰি, জয়হৰি আদি অনেক লোকে আতাৰ ওচৰত ধৰ্ম্মক ধৰিলে। বেজবৰুৱাৰ বংশৰ উপৰি-পুৰুষ পৰম ধাৰ্ম্মিক আৰু প্ৰতাপশালী ৰাজ বিষয়া পুৰুষোত্তম বৰুৱাই ইয়াতে বদুলা আতাৰ ওচৰত ধৰ্ম্মক ধৰে। ৰতন চোমদাৰেও ইয়াতে ধৰ্ম্মক ধৰে। ওঠৰ বছৰ বদুলা আতা কলানিভোটিত আছিল। ইয়াৰ পিছত যেনে কাৰ্য্যৰ বিসঙ্গতি হল তাক সংক্ষেপে কওঁ।—বলোভদ্ৰ নামে মহন্ত এজনে ৰজাৰ চাঙত উঠি ৰজাৰ মাদৈক শৰণ লগালে। এই কথা শুনি ৰজাই খং কৰি মহন্তবোৰক ধৰি নিবলৈ হুকুম দিলে। সকলো দিহাদিহি পলাই ফাট মাৰিলে। বদুলা আতাও কেশৱচৰণ আতা আৰু ভক্তসকলেৰে সৈতে পলাই গৈ কৌসিকৰ আহতলিত আছিল। জয়কৃষ্ণই এই বাতৰি শুনি আতাক আনি গুপুত কৰি নিজৰ ঘৰত ৰাখিলেহি। এইদৰে জয়কৃষ্ণৰ ঘৰত থাকোঁতে এদিন কেশৱচৰণ আতাই অনেক লোকৰ গলাৰৱ শুনি ভয় খাই বদুলা আতাক কলেহি যে “আমাক ৰজাৰ মানুহে বেঢ়ি ধৰিলে।” বদুলা আতাই তেওঁক নিৰ্ভয় দিলতো তেওঁৰ ভয় নগল, তেওঁ বাঁহনিত সোমাই এজোপা বাঁহৰ মাজত লুকাই বহি ৰল। এদিন এৰাতি তেওঁ নোখোৱা-নোবোৱাকৈ সেইদৰে লুকাই থাকি তেওঁৰ গা বহি পৰিল। বদুলা আতাই কেশৱচৰণ আতাক বিচৰাই কতো নাপাই মহা খেদ কৰি সেই বাঁহৰ মাজত বিচাৰি পাই লৈ আহি গা-পা ধুৱাই ধুৱাই নুৱাই হে সুস্থ কৰিছে। ইয়াৰ পিছত কেশৱ-চৰণ আতাই বদুলা আতাক বিদায় লৈ যাদবিৰ ঘৰত থাকিল গৈ; বদুলা আতা জয়কৃষ্ণৰ ঘৰতে ৰল। জয়কৃষ্ণৰ ঘৰতে আতা দুবছৰ নামধৰ্ম্ম প্ৰকাশ কৰি আছিল; তাৰপৰা চেচুকাভোটিলৈ উঠি গল। চেচুকাৰপৰা কিছু দিনৰ পিছত তেওঁ কেছেকুগুৰি ভোটিলৈ গল; তাৰপৰা পছতিয়া ভোটিলৈ গৈ ঘৰ-বহা নিৰ্ম্মাণ কৰি ৰল। তাতে নেপালি গুৰুৱে ৰবসন্দিকৈয়ে আতাৰ ওচৰত ধৰ্ম্মক ধৰিলে। চকলাৰ খুচা আতৈকে আদি কৰি অনেকে তাতে ধৰ্ম্মক ধৰে। কিছুদিন পছতিয়া ভোটিত থাকি আতাই ডেৰেৰা-পাৰত গৃহ নিৰ্ম্মাণ কৰাই তালৈ উঠি আহিল। ডেৰেৰাপাৰৰপৰা কিছুদিন অশোকগুৰি নামে ঠাইত থাকি আকৌ তেওঁ ডেৰেৰাপাৰলৈ আহিল। ডেৰেৰা পাৰতে বদুলা আতাই পাঁচ বছৰ শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম প্ৰকাশ কৰি আছিল। ডেৰেৰাপাৰৰপৰা তেওঁ আকৌ পছতিয়াভোটিলৈ গৈ তাত কিছুদিন থাকি তাৰপৰা ৰঘুগুৰি নামে ঠাইলৈ গল। দিনে ৰাতিয়ে আতাৰ হৰিকীৰ্ত্তন হৰিগুণ নাম শ্ৰৱণৰ বাহিৰে আন কোনো কথা নাছিল। এদিন পুৰুষোত্তম বৰুৱাই তেওঁৰ ঘৰত আতাক হৰিকীৰ্ত্তন কৰিবলৈ নিমন্ত্ৰণ কৰিলত, আতাই আনন্দ মনেৰে সেই নিমন্ত্ৰণ গ্ৰহণ কৰি সকলো সেৱকক জ্ঞান দি সকলোকে লগত লৈ পুৰুষোত্তম বৰুৱাৰ ঘৰত হৰিকীৰ্ত্তন মহামহোৎসৱ সম্পাদন কৰিলে। সেই কীৰ্ত্তনৰ সভাত অনেক ডাঙৰ ডাঙৰ ৰাজ বিষয়া আৰু ৰাজকোঁৱৰসকল আছিল।

ৰঘুগুৰিৰপৰা আতা পুৰণি হৰিপুখুৰী পাৰৰ ভোটিলৈ গৈ তাত কিছুদিন থাকি হাবৰা নামে ঠাইলৈ গৈ তাত পাঁচ বছৰ থাকি আকৌ পছতিয়া ভোটিলৈ আহিল। পছতিয়াৰপৰা তেওঁ চকলা থানলৈ আহিল। চকলাত থাকোঁতে আতা অলপ নৰীয়া পৰিলত আকৌ পছতিয়া থানলৈ আহিল। এই ডোখৰ কালত অনেক লোকে আতাৰ ওচৰত ধৰ্ম্মক ধৰিলে, আৰু তেওঁৰ অসংখ্য শিষ্য হল।

ইয়াৰ পিছত বদুলা আতাই পছতিয়া থান একে-বাৰেই পৰিত্যাগ কৰিবৰ ইচ্ছা কৰি সোণ এতোলা দি জমদগ্নিৰপৰা এডোখৰ মাটি কিনি লৈ তাত সত্ৰ কৰিলে। সেই সত্ৰৰ নামেই বদুলা। কেশৱচৰণ (ভাটকুচি আতা) আতাও বদুলা আতাৰে সৈতে সেই সত্ৰতে থাকিল। তাতে ভাটকুচি আতা নৰীয়া পৰিলত, সেই বাৰ্ত্তা শুনি বদুলা আতাই ভাটকুচি আতাক চাবলৈ গল। ভাটকুচি আতাই অনেক হৰিকথা আলাপ কৰি বদুলা আতাক কলে “শুনা হৰিৰ পো, মোৰ শৰীৰ পৰিল। মোৰ যাৱন্ত ভকত আছে, তেওঁলোকক তোমাত সমৰ্পণ কৰিলোঁ, তুমি প্ৰতিপাল কৰিবা। তোমাক মোৰ যোৰা, ৰত্নাৱলী শাস্ত্ৰ দুখন দিলোঁ। সাতটকি সুবৰ্ণ আছিল, তাকো তোমাক দিলোঁ।” ইয়াৰ পিছত ভাটকুচি আতাই মানৱলীলা সম্বৰণ কৰিলে। বদুলা আতাই ভাটকুচি আতাৰ দহন বহন-কীৰ্ত্তনাদি সকলো কাৰ্য্য সুচাৰুৰূপে সম্পাদন কৰিলে। বদুলা থানত বদুলা আতা সাত বছৰ ছমাহ আছিল। উত্তৰ কূলৰপৰা সেই সময়ত লোক ভাগি আহিলত, আতায়ো ভক্ত-সকলেৰে সৈতে সেই স্থান এৰি নাৱেৰে আহি ৰাম গুৰুৰ ঘৰত উঠিলহি। দুবছৰ আতা তাতে আছিল। তা পৰা পৰশুৰাম মুদৈৰ বাৰীলৈ আহি তাত আতা ছমাহ আছিল। তাৰপৰা তেওঁ ডটীয়া মুকুন্দৰ ঠাইলৈ গৈ তাতে ছমাহ আছিল। সেই ঠাইৰপৰা মুৰাৰি আতৈৰ ঠাইলৈ গৈ তাত আতা দুবছৰ নামধৰ্ম্ম প্ৰকাশ কৰি আছিল। এই ঠাইৰপৰা তেওঁ গৈ নিতাই পৰমাই আতৈৰ ঠাইত ৰলগৈ; তাতো আতা ছমাহ মান আছিল। এই ঠাইৰপৰা আতা মুৰাৰি মুদৈৰ ভেটিলৈ গল; মুদৈয়ে তাতে নতুন ঘৰ আতালৈ সজাই দিয়ালে; ভকত সকলেৰে সৈতে তাতে আতা অনেক কাল আছিল। আতাই কিন্তু ভকতসকলেৰে সৈতে ৰজালৈ সদায় সজাগ হৈ

আঁৰ হৈ থাকে। এদিন আতাই মুদৈক ৰজাৰ কুশল বাৰ্ত্তা শুধি কলে "ৰজাই কি আমাৰ ভু পাইছে; আমাৰ কথা বাৰ্ত্তা ৰজাই শোধেনে? ৰজা কুশলে থাকিলেই প্ৰজাবো কুশল হয়, এতেকে ৰজাৰ আমি সততে কুশল কামনা কৰোঁ। ৰজাই যদি আমাৰ কথা তোমাক শোধে তুমি আমাৰ কথা কবা।" ইয়াৰ পিছত এদিন ৰজাই কথায় কথায় মুদৈক শুধিলে "হয় নে তোমাৰ বাৰীত বোলে এজন মহাজন আছে? তুমি তেওঁক আমাত আঁৰ কৰি ৰাখিছা?" মুদৈয়ে উত্তৰ দিলে "হয় সৰ্গদেৱ, এজন নিৰ্ব্বিকাৰ শুদ্ধ সত্বগুণীয়া সাধু মহাজন মোৰ বাৰীতে আছে; তেওঁ ঈশ্বৰৰ নাম কীৰ্ত্তনৰ বাহিৰে আন একো নাজানে।" ৰজাই মুদৈক কলে "তেওঁক তুমি মোৰ ওচৰলৈ সোনকালে লৈ আহিবা।" আতাক এই কথা মুদৈয়ে কলত, হৰি আতৈৰ সৈতে ভক্তসকলক লগত লৈ আতা ৰজাৰ ওচৰ পালেগৈ। ৰজাই আতাক দেখি পৰম শ্ৰদ্ধাবান হৈ তেওঁ কেনেকৈ কি ধৰ্ম্ম প্ৰচাৰ কৰিছে সকলো শুনি শেহত কলে "তোমাক কি লাগে কোৱাঁ? তোমাক মানুহ-দুনুহ মাটি-বাৰী ধন-সম্পত্তি কি লাগে কোৱাঁ মই দিওঁ।" আতাই বিনয় বচনেৰে উত্তৰ দিলে "মহাৰাজ, মোক সেইবোৰ একো নালাগে; মাথোন মোক ইয়াকে দিয়ক, যেন ভকতসকলে গল মেলি মুখ ভৰি নিৰ্ভয়ে হৰিৰ নাম গাই থাকিব পাৰে। আৰু কোনেও যেন আমাৰ ভক্তক নধৰে আৰু বিঘিনি নকৰে, মোক অনুগ্ৰহ কৰি এই নিৰ্ভয় দিয়ক।" আতাৰ এনে প্ৰাৰ্থনা শুনি আতাক প্ৰশংসা কৰি ৰজাই কলে "আজিৰপৰা তুমি তোমাৰ ভক্তসকলেৰে সৈতে নিৰ্ভয়ে হৰিনাম লোৱাঁ, একো শঙ্কা নকৰিবা।" ইয়াৰ পিছত ৰজাৰপৰা বিদায় লৈ আতাই মুদৈভেটিলৈ আহি ভকতসকলেৰে সৈতে আনন্দ কৰি হৰিগুণ গাই থাকিবলৈ ধৰিলে।

তিপামত গোপী আতৈ নামে এজন আছিল। তেওঁ মধুপুৰ থানলৈ গৈ বুঢ়াৰ-পো-গোবিন্দ আতৈ অধিকাৰৰ ওচৰত ধৰ্ম্মক ধৰিলে। গোবিন্দ অধিকাৰে গোপী আতৈক এই বুলি কৈ পঠিয়াই দিলে "শুনা গোপী, তুমি তোমাৰ দেশলৈ যোৱাঁ, উজনিৰ বাপু ঘৰে ধৰ্ম্মক প্ৰকাশ কৰি তোমাৰ ওচৰত আছে, তেওঁক ভক্তি সেৱা কৰি সৰ্ব্বধৰ্ম্ম পাবা।" এই আজ্ঞা শুনি গোপী আতৈ উজাই আহি বদুলা আতাৰ পাশ পাই আতাক সেৱা ভক্তি কৰি থাকিবলৈ ধৰিলে। বদুলা আতাৰ আজ্ঞাত গোপী আতৈয়ে তিপামতে ঘৰবাৰী সত্ৰ কৰিলে; আৰু তাৰপৰা বদুলা আতাৰ ওচৰলৈ অহাযোৱা কৰি সেৱা ভক্তি কৰি থাকিবলৈ ধৰিলে।

বদুলা আতা মুদৈভেটিত থাকোঁতে বহু দলে আতৈ, দামোদৰ চকোৰ্বীয়া বৰুৱা, কৌপতীয়া বৰুৱা, পৰীক্ষিত কোঁৱৰ, অনন্ত কটকী, তেলীয়া হাজৰিকা, চিনাতলীয়া আতৈ, কৰুণা ভূঞা আদি অনেক লোকে তেওঁক প্ৰাৰ্থনা কৰি তেওঁৰ ওচৰত ধৰ্ম্মক ধৰিলেহি।

দিখৌমুখৰপৰা আতাৰ জ্যেষ্ঠ ভ্ৰাতা শঙ্কৰদাস আতাৰ ওচৰত ওলালগৈ। তেওঁক দেখি আতাই এনে উচ্চাৰণ কৰিলে "মোৰ ওচৰলৈ চোৰ কিয় আহিল।" এই কথা শুনি ঘৰজনে ভাবি নেপালে যে তেওঁক চোৰ বোলা হ'ল। তেওঁ হৰি আতৈৰ ওচৰলৈ গৈ এই কথাৰ মানে শুধিলত হৰি আতৈয়ে তেওঁক বুজাই কলে যে তেওঁক বাম নামৰ চোৰ বুলিছে, তেওঁ নাম প্ৰসঙ্গ নকৰে দেখি। শঙ্কৰদাসে কলে, "মোৰ ঘৰ নাই, দুৱাৰ নাই, বইবস্তু একো নাই, মই কেনেকৈ নাম প্ৰসঙ্গ কৰিম?" হৰি আতৈয়ে কলে "তুমি বন্ধু পৰিজন লৈ প্ৰবৃত্তি আছা, নাম লব নোৱাৰা কিয়? নাম লবলৈ ঘৰ দুৱাৰ দ্ৰব্য বস্তু একো নালাগে।" এই কথা শুনি শঙ্কৰদাস বিষাদিত মনেৰে ঘৰলৈ গল। আকৌ এদিন শঙ্কৰদাসে ভায়েকৰ ওচৰলৈ আহি কলেহি যে "মোক চাউল সিজাই দিয়া, তোমাৰ ইয়াতে থাকি ভোজন কৰিম।" বদুলা আতাই কলে "মোৰ ঘৰবাৰী দ্ৰব্য বস্তু সকলোকে তুমি কাঢ়ি ললা, ঘৰ এৰি দূৰত থাকোঁতেও তুমি মোক নগুৰ্নাগতি কৰিবলৈ এৰা নাছিলা; সেইদেখি মই সকলোকে ত্যাগ কৰিলোঁ। মোৰ গুৰুজনৰ আগত মোৰ কোনো নাই বুলি মই কৈ আহিছোঁ; সেইদেখি মোৰ বংশপৰিয়াল ককাইভাই কোনো নাই। তুমি মুদৈৰ ঘৰতে ভোজন কৰাগৈ।" এই কথা শুনি মুদৈৰ ঘৰত ভোজন কৰি নিজৰ ঘৰলৈ উভতি গল।

ইয়াৰ পিছত এদিন হৰি আতৈয়ে আতাক কলে "বাপ, আমি ভাল মাটি এডোখৰ চাই লৈ যেলেগে ভালকৈ এখন সত্ৰ কৰিব লাগিল। মুদৈৰ ভেটিত থাকিলে আগলৈ সকলোৱে আমাৰ সত্ৰৰ নাম মুদৈৰভেটি বুলি হে কব।" আতাই কলে "আমাক সত্ৰ কৰিবলৈ কোনে ভাল মাটি এডোখৰ দিব?" হৰিচৰণ আতৈয়ে কলে "এটা উপায় আছে,—পুৰুষোত্তম বৰুৱাৰ কমলাটেঙাৰ সুন্দৰ বাৰী এখন আছে; ৰজাই সেই বাৰীখন বৰুৱাক দিছে। সেই বাৰীখনকে তেওঁক খুজিলে তেওঁ আমাক দিব।" এই কথা শুনি আতাই বাৰীখন খুজিবলৈ বৰুৱাৰ ওচৰলৈ ভকত পঠিয়াই দিবলৈ হৰি আতৈক কলত হৰি আতৈয়ে পুৰুষোত্তম বৰুৱাৰ ওচৰলৈ ভকত পঠিয়াই দিলে। বৰুৱাই ভকত অহা দেখি সমাদৰ কৰি আতাৰ বাৰ্ত্তা পুছিলে। ভকতে আতাৰ বাৰ্ত্তা কৈ তেওঁৰ বাৰীখন আতাই সত্ৰ কৰিবলৈ খুজিছে বুলি বৰুৱাক কলত, বৰুৱাই মহাৰংৰসেৰে তেতিয়াই তেওঁৰ কমলাটেঙাৰ বাৰীখন আতাক সত্ৰ কৰিবৰে দান কৰিলে। তাতে সাদৰৰ,

মণিকূট, ভকতৰ হাটীবহা, পুখুৰী ইত্যাদি নিৰ্ম্মাণ কৰাই স্থলৰকৈ সত্ৰ কৰা হল ; আৰু সেই সত্ৰৰে নাম কমলাবাৰী সত্ৰ।

কমলাবাৰী সত্ৰতে নাম ধৰ্ম্ম প্ৰকাশ কৰি বদুলা আতা কিছু দিন আছে ; এদিন হৰিচৰণ আতৈয়ে আতাক প্ৰাৰ্থনা কৰিলে "বাপ, মোৰ এটি বাঞ্ছা আছে, সিদ্ধি কৰিব লাগে।"আতাই উত্তৰ দিলে "নিশ্চয় তোমাৰ বাঞ্ছা সিদ্ধি হব, কোৱাঁ।" হৰি আতৈয়ে কলে "বাপা, আপুনি থাকোতেই যেন মোৰ শৰীৰ পৰে।"এই কথা শুনি আতাই খেদ কৰিবলৈ ধৰিলে। ইয়াৰ কিছু দিনৰ পিছতে হৰিচৰণ আতৈয়ে পৃথিবী পৰিত্যাগ কৰিলে।

কিছুদিনৰ পিছত আতাৰ শৰীৰ অসুস্থ হোৱা দেখি ভকতসকলে আতাক প্ৰাৰ্থনা কৰি সুধিলে "বাপ, তোমোৰাৰ শৰীৰ অসুস্থ হল। তোমাৰাৰ পিছত কোনে ধৰ্ম্মক আৰু ভক্তৰত্তক পালিব, কাক আমি সেৱা কৰিমহঁক ?" আতাই কলে "মই নো কি কম, যি ধৰিব হাতী, সি পলাল দুভ্ৰাগ বাতি ; হৰিচৰণে আমাক আগেয়ে এৰিলে। ধৰ্ম্মৰ ভাৰ লব পৰা লোক তো মই কাকো নেদেখোঁ।" ভকত-সকলে কলে "তোমোৰাৰ ভতিজা কৰুণাময় আছে।" আতাই কলে "কৰুণাময়ক মই সেই কাৰ্য্যৰ যোগ্য নেদেখোঁ। বিশেষ গুৰুজনৰ আগত মোৰ কোনো মাই বুলি মই কৈ আহিছোঁ। এতেকে কৰুণাময়ক মই কেনেকৈ বোলোঁ ?" "আৰু এক কথা কহোঁ শুনা সাধুসন্ত। যৈসানি আমাক তেহোঁ হিংসা কৰিলন্ত॥ তৈসানি তাসম্বাক পৰিত্যাগ কৈলোঁ। হৰিচৰণ আনি আমি সঙ্গে লৈলোঁ॥ বৈৰাগ্য ধৰ্ম্মৰ কেহোঁ বংশ নাহিকয়। সিকাৰণে তাহাঙ্ক নানিবা সাধুচয়॥ গুৰুজনে মহাধৰ্ম্ম নিদিলে পুত্ৰক। মধুপুৰে থাপিলন্ত অচ্যুত গুৰুক॥ * সেৱা ধৰি আছিলন্ত ৰামচৰণ। পুত্ৰ বোধে পষিলন্ত আপোন ভাগিন॥ তাহাঙ্ক নিদিলা ধৰ্ম্মসৰে গুৰুদেৱ। * বৰপেটা স্থান বুঢ়া আতাক দিলন্ত॥ * দদা খুৰা আন বুলি ভক্তক হিংসিব। সৰ্ব্বস্ব আগ্ৰহি লৈ উদৰ ভৰিব॥" এতেকে মই সমূহত ধৰ্ম্মক থাপিলোঁ।" এনেতে সমূহ ভকতসকলে কলে "হৰি-চৰণৰ কনিষ্ঠ ভ্ৰাতা শ্ৰীৰাম আছে। শ্ৰীৰাম ধৰ্ম্মত নিপুণ, পৰম মহন্ত, তেওঁকে আমি যোগ্য দেখিছোঁ ; কৃপা কৰি বাপ, তেওঁকে ধৰ্ম্মৰ প্ৰতিপালক হবলৈ আজ্ঞা দিয়ক।" এই কথা শুনি আতাই কলে, "শ্ৰীৰাম যমদগ্নি। যি হওক, তেওঁকে যদি তোমা-লোকে ভাল দেখিছা, ময়ো তেওঁকে বুলিলোঁ।" ইয়াৰ পিছত ভকতসকলে আতাক সুধিলে, "বাপ, তোমোৰাৰ পিণ্ড-জলাঞ্জলি কোন জনে দিব ?" আতাই কলে "জয়হৰিয়ে সেই কাৰ্য্য কৰিব।" এই বুলি আতা মৌন হল। পুৰা সেই সময়ত কীৰ্ত্তন ঘৰত গায়নসকলে "গোবিন্দ চিন্তহ বাল গোপালং" এই গীতটি গাইছিল। আতাৰ শৰীৰৰ বিচেষ্টাৰ কথা শুনি গায়নসকলে গীত গাবলৈ এৰি আতাক বেঢ়ি ধৰিলেহি। আতাই তেওঁলোকক "কিয় গীত গোৱা এৰি আহিলা, যোৱাঁ, গোৱাঁগৈ" বুলি কলত তেওঁ-লোকে কীৰ্ত্তন ঘৰলৈ গৈ আকৌ গীত গাবলৈ ধৰিলে। ইয়াৰ পিছত গায়ন সকলে "জয় জয় নন্দনন্দন পৰমানন্দ বন্দো বাল গোপালং" এই গীতটি গাই থাকোঁতেই আতাৰ কিছু বিকল অৱস্থাৰ কথা শুনি তেওঁলোকে আহি আতাক আৱৰি ধৰিলে। আতাক বাহিৰলৈ উলিয়াই অনা হল। মুৰাৰি আতৈৰ হৃদয়ত আতাই আউজি জাপ্যমালা হাতত লৈ উৰ্দ্ধবাহু হৈ, আপোনাৰ আত্মাক পৰমাত্মাক থাপনা কৰি ৰাম নাম উচ্চাৰণ কৰি ভাদ মাহৰ শুক্ল একাদশী তেৰ প্ৰহৰ বেলিকা মানৱলীলা সম্বৰণ কৰিলে। জগন্নাথচৰণ, মুৰাৰি আতৈ, আলধৰা গোবিন্দ আতৈ, আৰু জয়হৰি আতৈ এই চাৰিজনে আতাক কান্ধত কৰিলে। ভক্তসকলে যাত্ৰাঘোষা গাই সমাৰোহ কৰি লগত আহিল। টুনিনৈৰ পাৰত আতাৰ কাঠসংস্কাৰ কৰা হল। ইয়াৰ পিছত দশ-পিণ্ডাদি আৰু মাহেকীয়া তিথি মহামহোৎসৱ কৰি সম্পাদন কৰা হল।

বদুলা আতাৰ পিছত শ্ৰীৰাম গুৰু কমলাবাৰী সত্ৰৰ অধিকাৰ হল।

ত্ৰয়োত্ৰিংশ অধ্যায়

সামৰণি

হৰিচৰণ ঠাকুৰে তেওঁৰ দুই পুত্ৰৰে সৈতে পাট-বাউসীত মাতৃক প্ৰতিপাল কৰি আছিল। তাতে পীড়াযুক্ত হৈ হৰিচৰণ ঠাকুৰৰ মৃত্যু হয়। বৃদ্ধা মাতৃ পুত্ৰশোকত আৰু ভাৰ্য্যা স্বামীশোকত কাতৰা হৈ পৰিল। সকলো সেৱকে তেওঁলোকক অনেক প্ৰবোধ দি সান্ত্বনা কৰি খোৱা নদীৰ তীৰত হৰিচৰণ ঠাকুৰৰ শৱৰ কাঠ-সংস্কাৰ কৰিলে। কিন্তু ঠাই-ডোখৰ পৰিষ্কাৰ কৰা হোৱা নাছিল। ঠিক এনে সময়তে উজানৰপৰা বদুলা আতাই নাৱেৰে আহি সেই খিনি পাই, কাক দাহ কৰা হল সুধি জানি, বৰ বিষাদ কৰি তেতিয়াই আধা পোৰা কাঠ আৰু ছাইবিলাক নৈত পেলোৱাই ঠাই ডোখৰ পৰিষ্কাৰ কৰোৱাই, চিলিঙিৰে বেঢ়ি তাৰ চাৰিউকালে কলগছ ৰোৱাই, ওপৰত চন্দ্ৰতাপ তৰোৱাই দিয়ালে। সেই দিনা বদুলা আতা উপবাসে থাকি, পিছদিনা পুৰা বৰপেটা থানত প্ৰবেশ কৰি মথুৰাদাস আতাৰে সৈতে

কিছু দিন আনন্দমনেৰে থাকিল। ইয়াৰ পিছত বদুলা আতাই পাটবাউসীলৈ গৈ শঙ্কৰদেৱৰ ভাৰ্য্যা আই-গোসানীক সেৱা কৰিলে, আৰু লগত লৈ যোৱা দ্ৰব্য বস্তু তেওঁক দি, ঠাকুৰ দুজনাকো মহা আদৰ সন্মান কৰি বিদায় লৈ আহিল।

পুৰুষোত্তম ঠাকুৰলৈ মাকে তিনি জনা কন্যা বিবাহ কৰাই আনিলে; চতুৰ্ভুজ ঠাকুৰকো বিবাহ দিলে; তথাপি কাৰো পুত্ৰ-সন্তান নহল, কন্যা হে হল।

কিছু কালৰ পিছত ৰৰভকতিকে আদি কৰি বাৰজন শিষ্যলোকে ৰৰঠাকুৰ পুৰুষোত্তমৰ পৰা ধৰ্ম্মক লভি, ধৰ্ম্মাচাৰ্য্য হৈ তেওঁৰ আজ্ঞা পাই উজা-নলৈ আহি সত্ৰ কৰিলে। ৰৰঠাকুৰৰপৰা হোৱা সেই সত্ৰবোৰক সেইদেখি ৰৰ-বাৰজনীয়া বোলে। ৰৰভকতিৰ পুত্ৰ বাপুকৃষ্ণৰপৰা দুনা হৰিগতিৰপৰা খাটপাৰ সত্ৰ হল। মুৰাৰিৰপৰা বেঙেনাআটি হল। কৃষ্ণচৰণৰপৰা চুপহাৰ সত্ৰ হল। বাসুদেৱৰপৰা চতনীয়া সত্ৰ, হৰিচৰণৰপৰা সাওকুচি সত্ৰ, কৃষ্ণাইৰ পৰা শালমৰীয়া সত্ৰ, গোবিন্দৰপৰা চেকেৰাতলী সত্ৰ, পৰমানন্দৰপৰা ৰত্নপুৰ সত্ৰ, কমললোচনৰপৰা ঠকবিনাল সত্ৰ, কৃষ্ণৰপৰা গোমোখা সত্ৰ, পৰশু-ৰামৰপৰা পুনিবাৰ ফুলবাৰী সত্ৰ, কৃষ্ণৰামৰপৰা কাঠৰপো সত্ৰ হল।

ঠাকুৰসকলে মাকক প্ৰতিপাল কৰি পাটবাউসীত অনেক বছৰ আছিল। তাৰ পিছত চতুৰ্ভুজ ঠাকুৰে তামৰঙ্গা বিলৰ পাৰলৈ গৈ তাতে ঘৰবাৰী কৰি থাকিল; আৰু পুৰুষোত্তম ঠাকুৰ পাটবাউসীতে ৰল।

বদুলা আতাই ৰৰঠাকুৰক অৱহেলা আৰু অৱ-মাননা কৰিলে বুলি বাপুকৃষ্ণই ৰৰঠাকুৰ পুৰুষোত্তমৰ আগত অলীক কুট লগালত, ৰৰঠাকুৰে ক্ৰোধ কৰি মথুৰাদাস আতালৈ কৈ পঠিয়ালে যে এইবাৰ বদুলা আতা আহিলে যেন বৰপেটা সত্ৰত তেওঁক উঠিবলৈ দিয়া নহয়। এই কথা শুনি বুঢ়া আতাই উত্তৰ দিলে যে "মই এনে কাম কেনেকৈ কৰিম? শেষ কালত গুৰুজনে সৰ্ব্বশক্তি দি গাৰ বদল পাতি বদুলা আতাক উজানলৈ পঠিয়াইছে; মোৰ কি শক্তি আছে যে এনেজনক মই বৰপেটা থানত নুতুলিম? এনেজনে মোকে এই থানৰপৰা খেদিলেই বা মই কি কৰিব পাৰোঁ?" বুঢ়া আতাৰ এই উত্তৰ শুনি ঠাকুৰে ক্ৰোধ কৰি, বুঢ়া আতাৰ হাতৰপৰা কীৰ্ত্তনঘোষা শাস্ত্ৰখন কাঢ়াই নিয়াই সেই শাস্ত্ৰ তেওঁক নপঢ়িবলৈ কলে। বুঢ়া আতাই কলে "যদি কীৰ্ত্তন ঘোষাখনকে নিলে, আৰু তাক নপঢ়িবলৈ মোক কলে, ঘোষা শাস্ত্ৰখনিকো বা কিয় মই পঢ়িবলৈ ইয়াত ৰাখিলে। জীৱৰ তৰণৰ হেতু কল্পতৰু জগৎগুৰু শ্ৰীশঙ্কৰদেৱে কীৰ্ত্তনঘোষা শাস্ত্ৰখন কৰি সকলোলৈকে প্ৰকাশ আৰু প্ৰচাৰ কৰি থৈ গৈছে। তথাপি তেওঁৰ আজ্ঞা পালি তেওঁক মই শাস্ত্ৰখন দিলোঁ।" এই কথা শুনি ঠাকুৰে ঘোষা শাস্ত্ৰখনি দিলে, কীৰ্ত্তনখন নিজৰ ঠাইত ৰাখিলে। ঠিক এনে সময়তে বদুলা আতা উজানৰপৰা আহি বৰপেটা পালেহি। তেওঁ ঠাকুৰৰ পাশলৈ যাব খুজিলত, বুঢ়া আতাই তেওঁক কলে "তুমি ঠাকুৰৰ ওচৰলৈ কেনেকৈ যাবা? তোমাৰ প্ৰতি তেওঁৰ মহা ক্ৰোধ হৈছে। যোৱাৰ আগেয়ে কাৰ্য্যৰ গতি বুজি লোৱা। এই কথা শুনি বদুলা আতাই হৰিচৰণ গুৰুক দ্ৰব্য বস্তুৰে দুজন ভকত লগত দি ঠাকুৰৰ ওচৰলৈ পঠিয়াই দিলে। হৰিচৰণে সুবিধা বুজি ঠাকুৰৰ আৰু ঠাকুৰৰ ভাৰ্য্যাৰ আগত বদুলা আতাৰ কথা কলত, ঠাকুৰৰ ভাৰ্য্যাই পৰম আনন্দিত হৈ, আতাই পঠিয়া দ্ৰব্যবস্তু আদৰ কৰি গ্ৰহণ কৰি শুধিলে, "তেওঁ আমাৰ ওচৰলৈ আহিবনে?" হৰি আতৈয়ে কলে "কিয় নাহিব, নিশ্চয় আহিব।" এই কথা শুনি ঠাকুৰ আতাৰ পত্নী সন্তুষ্ট হল। ইয়াৰ পিছ দিনা বদুলা আতাই সেইৰূপে গৈতে দ্ৰব্যবস্তু উপহাৰ লৈ ঠাকুৰ আৰু ঠাকুৰৰ ভাৰ্য্যাক প্ৰণাম কৰিলত, তেওঁলোকে আতাক সমাদৰ কৰি বহুৱালে। বদুলা আতাই অতি বিনম্ৰভাৱে ঠাকুৰক শুধিলে, তেও কাক গুৰু বুলি জানিছে? আতাৰ প্ৰশ্ন শুনি ঠাকুৰে আনন্দিত মনেৰে কলে "মাধৱ-দেৱে মোক, তামোল খাব লাগে কেনেকৈ সেই পৰ্য্যন্ত শিকালে। মাধৱ হে মোৰ সকলো প্ৰকাৰে গুৰু, মাধৱহে প্ৰাণ; মাধৱৰ বাহিৰে মোৰ উপ-কাৰী গুৰু আন নাই।" এই উত্তৰ শুনি বদুলা আতাই মহা সন্তোষ পালে। ঠাকুৰৰ ভাৰ্য্যাই নানা বিধ ব্যঞ্জনেৰে গৈতে অন্ন ৰান্ধি আতাক খাবলৈ দিলত, আতাই ভোজন কৰিবলৈ বহি তেনেকৈ দিয়া দেখি বিষণ্ণ হৈ, অন্ন হাতেৰে স্পৰ্শ কৰি, প্ৰাৰ্থনা কৰি ঠাকুৰৰ ভাৰ্য্যাক কলে "আই, এইদৰে সুগন্ধিত মনোৰম বিপুল অন্ন ব্যঞ্জন ভোজন কৰিলে মোৰ ইন্দ্ৰিয়ৰ বল নাঢ়িব, মন চঞ্চল হব; এতেকে মোক খাৰপানী এটুপি দিলে, তাৰে অলপ অন্ন প্ৰসাদ ভোজন কৰিব পাৰোঁ।" এই কথা শুনি ঠাকুৰে প্ৰেমাকুল হৈ আতাক ধন্য ধন্য বুলি প্ৰশংসা কৰি বুলিলে যিজনে ৰসনাৰ স্বাদকো এৰিলে, এনে-জন পুৰুষৰ বিপক্ষেও মানুহে পৈশুন্য লগায়। শুনা বাপু, তুমি মোক নিন্দা কৰিছিলা বুলি হৰি-কৃষ্ণই মোক লগাইছিলহি। তুমি বাপু যোৱা, হৰি-কৃষ্ণ শূলত পৰি মৰক। এনেজন পুৰুষৰ নামে মোৰ আগত কুট লগায়!" ঠাকুৰৰ এই কথা শুনি আতাই ঠাকুৰক কলে "বাপ, তেওঁক আচিছে

আৰু, আপোনাৰ বাক্য-বজ্ৰতে তেওঁৰ সকলো গল। আমাৰ আৰু বুলিব নালাগে।" এই দৰে বদলা আতাই ভোজন আলাপাদি কৰি তাৰপৰা উভতি আহি বৰপেটা পালত, বুঢ়া আতাই ঠাকুৰৰ মনান্তৰ বোৱা কথা শুনি পৰম আনন্দিত হল। বুঢ়া আতাৰ ওপৰত ক্ৰোধ কৰি ঘোষা শাস্ত্ৰখন বৰপেটালৈ পঠিয়াই ঠাকুৰে নৱঘোষা নামে এখন শাস্ত্ৰ কৰিছিল। এতিয়া ঠাকুৰে ভাবিলে যে তেওঁ গুৰুজন মাধৱদেৱৰ ঘোষা থাকোতে তাৰ উপৰি ঘোষা কৰি অনিয়ায় কাৰ্য্য কৰিলে। ইয়াকে ভাবি, তেওঁ ৰচনা কৰা নৱ-ঘোষা পুথিখন এপাত এপাতকৈ ফুইত পেলাই পুৰি থাকোঁতেই, ৰৱভকতিসে দেখি তেওঁৰ হাতত থকা বাকী পাতকেইটি নুপুৰিবলৈ কৈ প্ৰাৰ্থনা কৰি খুজি ৰাখি কলে, "ইয়াৰ দুটি এটি ঘোষা আমি প্ৰসঙ্গ অন্তত গাবলৈ থাকক।" এই বুলি সেই কেইটি পাত তেওঁ ৰাখিলে।

ইয়াৰ পিছত চতুৰ্ভুজ ঠাকুৰদেৱে পাটবাউসীলৈ আহি মাকক প্ৰতিপাল কৰি থাকিবলৈ ধৰিলে। কিন্তু তেওঁলোকৰ বংশ জ্ঞাতিসকলে কথাৰ কথাৰ তেওঁলোকক হিংসা কৰি থাকে। এই কথা শুনি মাধৱদেৱৰ ভগ্নী উৰ্ব্বশীয়ে ৰামচৰণক পঠিয়াই গুৰু-পত্নীক ঠাকুৰ আৰু বোৱাৰীয়েকৰ সৈতে সুন্দৰীলৈ তুলি লৈ গৈ প্ৰতিপাল কৰি থাকিবলৈ ধৰিলে। গুৰু পত্নী বৰ বুঢ়ী হৈছিল, আন কি তেওঁৰ বোৱাৰীয়েক সকলো বুঢ়ী হৈছে। উৰ্ব্বশীৰ প্ৰতিপালত থাকি শঙ্কৰদেৱৰ পত্নী সুন্দৰীদিয়াতে পৰলোক যায়। ঠাকুৰসকলে আই গোসানীৰ শ্ৰাদ্ধবিধি মহামহোৎসৱ সমাৰোহ কৰি সম্পন্ন কৰিলে।

ইয়াৰ পিছত বৰঠাকুৰ পুৰুষোত্তম জনিয়ালৈ গৈ তাত কিছুদিন থাকি বেহাৰলৈ গৈ ভেলা খানতে ভাৰ্য্যা আৰু সেৱকসকলেৰে সৈতে নিবাস কৰি থাকিল।

চতুৰ্ভুজ ঠাকুৰ বিষ্ণুপুৰলৈ গৈ তাতে থাকিল। বিষ্ণুপুৰ থান তামৰঙ্গা বিলেৰে চাৰিউফালে বেৰা। তালৈকে বাৰজন সন্ত গৈ ঠাকুৰক সেৱা শুশ্ৰূষা কৰি তেওঁৰ ওচৰত ধৰ্ম্মক ধৰিলে। চতুৰ্ভুজ ঠাকুৰে সেই বাৰজন সন্তক ধৰ্ম্মাচাৰ্য্য পাতি উজনিলৈ পঠি-য়ালে। তেওঁলোকে পতা সত্ৰকে সকলবাৰজনীয়া বোলে। সেই বাৰজনৰ নাম—কানাই, হৰিচৰণ, ৰামভদ্ৰ, ৰত্নাকৰ, ৰতিকান্ত, গোবিন্দ, জয়কৃষ্ণ, গোপীনাথ, বিষ্ণু, মুকুন্দ, ৰঘুপতি, সনাতন। সনা-তনৰপৰা বেলশিঙীয়া সত্ৰ হল। জয়কৃষ্ণৰপৰা খেৰকটীয়া সত্ৰ হল। গোপীনাথৰপৰা কাৱৈমৰীয়া সত্ৰ হল। কানাইৰপৰা চুঙাপাৰ সত্ৰ, কানুৰপৰা উজানিয়াল সত্ৰ, যদুমণিৰপৰা আথলীয়া সত্ৰ হল (যদুমণিক কোনো সাধুৱে সত্তানন্দও বোলে)। হৰি-চৰণৰপৰা নলিতি সত্ৰ, ৰতিকান্ত আচাৰ্য্যৰপৰা নেপালি সত্ৰ, ৰঘুপতি দ্বিজৰপৰা বনগঞা সত্ৰ হল।

বৰঠাকুৰদেৱ ভেলাত থাকোঁতে নানা ঠাইৰপৰা লোক আহি তেওঁৰ ওচৰত ধৰ্ম্মক ধৰিলে; আৰু প্ৰজা সকলোৱে তেওঁক শঙ্কৰদেৱৰ নাতি বুলি পৰম শ্ৰদ্ধা ভক্তি কৰিবলৈ ধৰিলে।

হৰিহৰ আতাই এদিন শঙ্কৰ গুৰুৰ নাতি সাক্ষাত শঙ্কৰ বুলি তেওঁ, একঠি চাউল লগাওঁ বুলি ঠাকুৰক এটি খৰাহিত একঠি চাউল দিলে। ঠাকুৰে হৰিহৰ আতাক সমাদৰ কৰি চাউলকঠি ভোজন কৰা হব বুলি ৰাখিলে। আনধৰাই নি চাউলৰ খৰাহিটো হেদালিত তুলি থলে, কিন্তু সেই চাউলৰ কথা বিস্মৰণ হৈ সেই দিনা ঠাকুৰৰ ভোজনৰ অৰ্থে নিদিলে। গধূলি হৰিহৰ আতাই অসন্তুষ্টমনে আহি ঠাকুৰক কলে "তোমাক শঙ্কৰদেৱ গুৰু পুৰুষৰ নাতি বুলি চাউল কঠি দিলোঁ, তুমি ভোজন নকৰি হেদালিত তুলি থলা।" এই বুলি কৈ তেওঁ অপেক্ষা নকৰি ভিতৰলৈ সোমাই গৈ হেদালিৰপৰা চাউলৰ খৰাহিটো আনি ঠাকুৰৰ আগত দিলেহি। ঠাকুৰ অপ্ৰস্তুত হৈ, পৰিচাৰকৰ পাহৰণত তেনে বিসঙ্গতি ঘটিল বুলি হৰিহৰ আতাক সান্ত্বনা কৰি, ভঁৰালৰপৰা আৰু চাউল অনাই সেই চাউলেৰে সৈতে মিহলোৱাই সকলো সেৱকক ভাগ বঁটাই দিয়ালে, আৰু নিজেও ভোজন কৰিলে।

ঠাকুৰদেৱৰ গুণ গৰিমা শুনি কোচবেহাৰৰ ৰজাই (লক্ষ্মীনাৰায়ণৰ পুতেক) ভাবিলে, শঙ্কৰদেৱৰ নাতি, এতেকে তেওঁক সমাদৰ কৰিব লাগে। ৰজাই ইয়াকে ভাবি নিজৰ কাৰ্য্যীক ঠাকুৰদেৱক ৰাজসভালৈ মাতিবলৈ পঠিয়াই দিলে। ঠাকুৰদেৱে মনতে বিম-ৰিষ কৰি থিৰ কৰিলে যে "এই ৰজাৰ ওচৰলৈ মই নাযাওঁ, এওঁৰ পিতামহ নৰনাৰায়ণ ৰজাই মোৰ পিতামহ শঙ্কৰদেৱক ভক্তি সেৱা কৰি তেওঁৰ ওচৰত ধৰ্ম্মক ধৰিব খুজিছিল। এওঁ কিন্তু, মই দেখিছোঁ, ভকতক দ্ৰোহ কৰে আৰু দুৰ্জ্জন; এতেকে এওঁৰ ওচৰলৈ মই নাযাওঁ। নগলে নেৰে যেতিয়া মই বাজ হৈ যাম।" ইয়াকে ভাবি ঠাকুৰদেৱে কাৰ্য্যীক কলে, "মোৰ শৰীৰত বৰ পীড়া হৈছে, ঈশ্বৰৰ ইচ্ছাত ভাল হলে ৰজাৰ আজ্ঞা মানি যাম।" কাৰ্য্যীয়েও দেখিলে ঠাকুৰৰ গা ভাল নহয়। এই কথা শুনি কাৰ্য্যী গলত, ঠাকুৰে মধুপুৰ থানৰ গোবিন্দ অধিকাৰ আতৈক মতাই আনি, দুয়ো ৰহস্য কথা আলাপ কৰি, তেওঁক বিদায় দি, নিশা ১৫৪১ শকৰ পৌষ মাসৰ কৃষ্ণাচতুৰ্দ্দশীৰ মাজ নিশা প্ৰাণ পৰি-ত্যাগ কৰিলে। সেৱকসকলে ঠাকুৰৰ কাঠ-সংস্কাৰ

কৰিলে। ভাৰ্য্যা ৰুক্মিণীয়ে স্বামীৰ শ্ৰাদ্ধ বিধি নিয়মমতে সমাধা কৰি জীয়েকেৰে সৈতে কিছু দিন তাতে থাকিল। চতুৰ্ভুজ ঠাকুৰে ককায়েকৰ মৃত্যুৰ সংবাদ শুনি সেৱকসকলেৰে সৈতে হৰিকীৰ্ত্তন মহোৎসৱ কৰিলে। জ্যেষ্ঠৰ মৃত্যুৰ সংবাদ শুনাৰ দিনাৰেপৰা চতুৰ্ভুজ ঠাকুৰ মহা শোকান্বিত হৈ পৰিল। তেওঁ বোৱেকক চাবলৈ আৰু জ্যেষ্ঠৰ অস্থি গঙ্গাত লগাবলৈ বুলি বিষ্ণুপুৰ থানৰপৰা ভেলা মধুপুৰ কাকতকুটা থান দৰ্শন কৰি যাবলৈ যাত্ৰা কৰি আহিল। ভেলা পাই তেওঁ বোৱেক আৰু ভতিজাজীয়েকক দেখি ককায়েকৰ নিমিত্তে অনেক খেদ কৰি, তাতে কিছুদিন থাকি, তাৰ পিছত কাকত-কুটা আৰু মধুপুৰ থানলৈ গৈ তাতে গোবিন্দ অধি-কাৰৰ সৈতে দেখা কৰি আনন্দেৰে থাকি তাৰ পিছত হৰিহৰ আতাৰপৰা অনেক ভক্তিতত্ত্বৰ কথা শ্ৰৱণ কৰি আকৌ ভেলালৈ আহি কিছুদিন থাকি জ্যেষ্ঠৰ অস্থি লৈ গঙ্গালৈ গল। গঙ্গাত স্নান দান কৰি অস্থি লগাই ঠাকুৰদেৱ উভতি আহোঁতে নবীয়া পৰি পথতে তেওঁৰ মৃত্যু ঘটে। ঠাকুৰৰ মৃত্যু শুনি সকলোৱে শোক কৰিবলৈ ধৰিলে আৰু তেওঁৰ ভাৰ্য্যা শোকত মৃতপ্ৰায় হল। বিধিমতে ঠাকুৰৰ শ্ৰাদ্ধাদি সকলো কাৰ্য্য সমাপন কৰা হল।

বৰঠাকুৰৰ ভাৰ্য্যা তেওঁৰ কন্যাৰে সৈতে বেহাৰতে আছিল। এদিন ভকতসকলে তেওঁক কলে, "আই, আপোনাৰ স্বামীৰে সৈতে ৰজাই সাক্ষাৎ কৰিবলৈ ইমান আগ্ৰহ প্ৰকাশ কৰি তেওঁক মাতি পঠিয়াইছিল ; কিন্তু দৈৱক্ৰমে তেওঁৰ যোৱা নহল। এতেকে আপুনি ৰজালৈ নিৰ্ম্মালি পুষ্প পঠোৱাটো যুগুত।" এই পৰামৰ্শ শুনি ঠাকুৰৰ ভাৰ্য্যাই ভকতৰ হাতত ৰজালৈ ফুল নিৰ্ম্মালি পঠিয়াই দিলে। ৰজাই আদৰ কৰি সেই নিৰ্ম্মালি গ্ৰহণ কৰিলে। এনেতে ৰজাৰ সভাত থকা কুট ব্ৰাহ্মণসকলে ৰজাক কলে "মহাৰাজ, শূদ্ৰৰ বিধৱা অতি অপবিত্ৰ। এনে অপবিত্ৰজনাই আপোনালৈ নিৰ্ম্মালি কেনেকৈ দিয়ে ?" এই কথা শুনি ৰজাই ক্ৰোধ কৰি জগৰ ধৰি পঠি-য়ালে। ঠাকুৰৰ ভাৰ্য্যাই এনে হোৱা দেখি ভয়ত থৰ্‌থৰ্ কৰে কঁপিবলৈ ধৰিলে। দামোদৰদেৱ তেতিয়া তাতে তেওঁৰ বৈকুণ্ঠপুৰ নামে সত্ৰত আছিল। ঠাকুৰৰ ভাৰ্য্যাই তেওঁক মতাই আনি এই বিপদৰ কথা কলত, দামোদৰদেৱে ৰজাক কলে "মহাৰাজ, এই বিধৱা ৰমণী সামান্য লোক নহয়। আপোনাৰ পিতামহ মল্লনাৰায়ণ মহাৰাজে মহাপুৰুষ শঙ্কৰদেৱৰ শক্তি প্ৰভাৱ আৰু গুণশীল জানি তেওঁক শৰণ লবৰ অত্যন্ত ইচ্ছা কৰিছিল। এই ৰমণী সেই শঙ্কৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰৰ পত্নী। এতেকে এওঁক আপোনাৰ গুৰুপত্নী বুলিব লাগে। এই ধাৰ্ম্মিক গুৰুপত্নী আপোনাৰ ৰাজ্যত আছে ; তেওঁ আপো-নাৰ মঙ্গলৰ নিমিত্তে ফুল নিৰ্ম্মালি আপোনালৈ পঠাই দিছিল ; আপুনি ভাগ্য বুলি মানি সেই নিৰ্ম্মালি গ্ৰহণ কৰি তুষ্ট হব লাগে। অজ্ঞানীসকলৰ কথা শুনি ৰাগ কৰিব নালাগে।" এই কথা শুনি ৰজাই দামোদৰদেৱক প্ৰশংসা কৰি কলে, "ধন্য ধন্য গোসাঁই তুমি সাৰ কথা কলা। শঙ্কৰদেৱৰ কথা মই ভালমতে শুনিছোঁ। তেওঁৰ নাতি পুৰুষো-ত্তমকো জানো। পুৰুষোত্তমৰ কথা মোক কবই নালাগে, তেওঁ পৰম প্ৰসিদ্ধ গুণগণেৰে বিভূষিত আছিল। তেওঁৰ ভাৰ্য্যাই দিয়া নিৰ্ম্মালি নিশ্চয় বিশিষ্ট। এই বামুণ পাপীষ্টখনে বেয়া বুলি মোক লগাইছিল ; ইহঁতে মোক নকয় যে সেই ৰমণীজনা পুৰুষোত্তম ঠাকুৰৰ ভাৰ্য্যা। ইহঁতে মোক কৈছিল, এজনী অপবিত্ৰ ৰাৰী শূদিৰৰ তিৰোতাই মোলৈ নিৰ্ম্মালি পঠিয়াই দিছে বুলি।" এই বুলি সেই ব্ৰাহ্মণবোৰক চকিয়াই ৰাজসভাৰপৰা খেদি দিবলৈ ৰজাই হুকুম দিলত, বামুণবোৰ পলাই পত্ৰং দিলে। এই কথা ঠাকুৰৰ ভাৰ্য্যাই শুনি পৰম আনন্দিত আৰু কৃতজ্ঞ হৈ দামোদৰদেৱক প্ৰশংসা কৰি নৈ ধৰিলে।

ঠাকুৰৰ ভাৰ্য্যাৰ হাতত, শঙ্কৰদেৱে নিজ হাতে লেখা, সোণৰ শলখা দিয়া বৰ-ভাগৱত শাস্ত্ৰখন আছিল। দামোদৰদেৱে সেইখন ঠাকুৰপত্নীক খুজিলত তেওঁ সন্তোষ মনেৰে পুথিখন দামোদৰদেৱক দিলে। পিছত ঠাকুৰৰ ভাৰ্য্যাই সেই পুথিখন খুজি পঠিয়াই নাপালে। সেই পুথিখন আজিলৈকে দক্ষিণপাট সত্ৰত আছে। দামোদৰদেৱৰপৰা সেই পুথিখন বলোদেৱ অধিকাৰে পালে ; বলোদেৱে বনমালীদেৱক দিলে। তেতিয়াৰে পৰা সি দক্ষিণপাট সত্ৰত আছে। *

বৰঠাকুৰৰ ভাৰ্য্যাই এই দৰে দুখিত মনেৰে জীয়েক দময়ন্তীৰে সৈতে ভেলাতে থাকোতে এদিন দুষ্টমতি ৰঘুনাৰায়ণ ৰজাই বলেৰে দময়ন্তীৰ কন্যাক ধৰাই নি বিবাহ কৰিলে। এনে ঘটনা ঘটাত ঠাকুৰৰ ভাৰ্য্যাই মৰণান্তিক শোক পাই বেহাৰত আৰু নাথাকো বুলি নাৱত দ্ৰব্যবস্তু ভৰা দি কামৰূপলৈ উজাই আহিল। স্বামী ঠাকুৰদেৱৰ স্থান অনিয়া আনি তেওঁ তাতে বলহি। সকলো সেৱকে চাৰিউফালৰপৰা আহি তাতে ঘৰবাৰী সজাই দি তেওঁক ৰাখিলে। দৈত্যাৰি ঠাকুৰ, পৰমানন্দ, এওঁলোকে সদায় আহি ঠাকুৰৰ পত্নীৰ বুদ্ধ-ৰাজ লৈ থাকিবলৈ ধৰিলে।

* শ্ৰীশ্ৰীযুত দক্ষিণপাটৰ বৰ্ত্তমান অধিকাৰ পুৰুষে কয় যে শ্ৰীশঙ্কৰদেৱে সেই শাস্ত্ৰখন নিজ হাতে লিখি তাত সোণৰ শলখা দি দামোদৰদেৱক দিছিল। (বাঁহী, ৩য় বছৰ ১৮৩৪ শক, আহাৰ মাহ, ৮ম সংখ্যা।)

চতুৰ্ভুজ ঠাকুৰৰ বিধৱা পত্নীও বিষ্ণুপুৰৰপৰা তাঁলৈকে আহি আকেৰে সৈতে দেখা কৰি স্বামীৰ অৰ্থে শোক কৰি কিছুদিন থাকি নিজৰ ঠাইলৈ উভতি গল।

শ্ৰীনবোৱা সত্ৰাধিকাৰে লিখিছে—চতুৰ্ভুজ ঠাকুৰৰ প্ৰথম ভাৰ্য্যাৰ দুহিতৃ সুভদ্ৰা আই। চতুৰ্ভুজ ঠাকুৰৰ ভগ্নী গোবিন্দপুৰীয়া আইৰ পুত্ৰ দামোদৰ আতাক চতুৰ্ভুজ ঠাকুৰে পুত্ৰেষ্টি যজ্ঞ কৰি এটকা সুৱৰ্ণ দি কিনি লৈ নাভি ছেদন কৰি নাম গোত্ৰ দি অশৌচ গ্ৰহণ কৰি, পুত্ৰ লৈ বৰুৱা আতা আৰু গোবিন্দপুৰীয়া আয়ে স্নান কৰি শুদ্ধ হল। পুৰুষোত্তম ঠাকুৰৰ দুহিতৃক নিৰঞ্জন গাভৰু গিৰিয়ে বিবাহ কৰায়। সেই কন্যাৰ সন্তান নোহোৱাতে মৃত্যু হয়। পিছত উক্ত বৰুঠাকুৰদেৱৰ খুলশালীৰ দুহিতৃক বিবাহ কৰে,—নাম ভাতনাখাতী। তেওঁৰ চাৰি পুত্ৰ হয়। চক্ৰপাণি, সাৰঙ্গপাণি, গদাপাণি, পদ্মপাণি।

দেশত আকাল দুৰ্ভিক্ষ; বিষ্ণুপুৰ ঠাই বিলৰ ভিতৰত আৰু দূৰ; ভকতসকলৰ অনেক অসুবিধা; তাৰ উপৰি ৰজাৰপৰাও সুখ নাই; ইত্যাদি কাৰণত চতুৰ্ভুজ ঠাকুৰৰ ভাৰ্য্যাই সেই ঠাই এৰি উজানলৈ যাবলৈ ইচ্ছা কৰিলে। শ্বশুৰ শঙ্কৰদেৱৰ আদি-লীলাৰ স্থান বুলি তেওঁ বৰদোৱাৰ ফালে গৈ পূৰ্ব্বৰ সেই স্থান অনুসন্ধান কৰি উলিয়াই হাবি বন কটাই তাতে সত্ৰ পাতি বহলগৈ।

শ্ৰীশঙ্কৰদেৱৰ পুত্ৰ হৰিচৰণ ঠাকুৰ; তেওঁৰ পুত্ৰ চতুৰ্ভুজ ঠাকুৰ; চতুৰ্ভুজ ঠাকুৰৰ দুহিতৃ সুভদ্ৰা। ঠাকুৰ আতাই সুভদ্ৰা আইক সৰু কালতে কোলাত লৈ কৈছিল—"তোমাহন্তে এটি নবা হব, তেওঁৰ নাম অনন্তৰাম দিবা।" চৰিত্ৰত আছে—"শুনিও বান্ধনি তুমি, স্বৰূপক কহোঁ আমি, সুভদ্ৰাত বিচৌ পুত্ৰ হয়। যাতে ধন বস্ত্ৰ দিবা, পুত্ৰবোধে তুলি লবা, তাতে আশা কৰিলোঁ নিশ্চয়। ছাৰ বস্ত্ৰ অৱশেষ, নুভুঞ্জাইবা নিদিবাহা পুত্ৰ বুলি তুমি তুলি লৈবা। সেহিসে নাতিত আশা কৰি পূৰ্ব্ব পিতৃসব গৈল ইটো শাস্ত্ৰতে জানিবা॥"

বাবদেৱ গাভৰু গিৰিত সুভদ্ৰাক বিয়া দিয়ে। তেওঁলোকৰ পুত্ৰৰ নাম অনন্তৰাম (গুপ্ত নাম—জগজীৱন)। অনন্তৰামৰ ৭ জন পুত্ৰ হয়—(১) ৰাম ৰায়, (২) হৰি ৰায়, (৩) কেশৱ ৰায়, (৪) যাদৱ ৰায়, (৫) মাধৱ ৰায়, (৬) বিষ্ণু ৰায়, (৭) কেহো ৰায়। ৰামৰায়ৰ পৰা হৈছে—উজনিত থকা কোৱামৰা সত্ৰ। কেশৱৰায়ৰ পৰা হৈছে শলগুৰি সত্ৰ। হৰিৰায়ৰ পুত্ৰ ৩ জন,—(১) প্ৰদ্যুম্ন, (২) সুদ্যুম্ন, (৩) ইন্দ্ৰদ্যুম্ন। হৰিৰায় আতা বটদ্ৰৱা থানতে অধিকাৰ হৈ আহাৰ মাহৰ কৃষ্ণা সপ্তমী তিথিত বৈকুণ্ঠ প্ৰয়াণ কৰে। প্ৰদ্যুম্ন আতাও বটদ্ৰৱা থানতে অধিকাৰ হয়। কেশৱৰায় আতাৰে সৈতে তেওঁৰ মনান্তৰ হৈ, শুকদল বৰৰবী সত্ৰ থাপন কৰে। তেওঁৰ পুত্ৰ নাতিসকলে আজিলৈকে সত্ৰ চলাই আছে। কনিষ্ঠ ইন্দ্ৰদ্যুম্ন আতাই ইটাখুলি নামে সত্ৰ পাতে। তাতো তেওঁৰ পুত্ৰ নাতিসকলে আজিলৈকে সত্ৰ চলাই আছে। মধ্যম সুদ্যুম্ন আতাই শুকদল সৰুৰবী নামে সত্ৰ থাপনা কৰে।

অনন্তৰাম আতাৰ পুত্ৰ নাতিসকলৰ সত্ৰ—বটদ্ৰৱা, শুকদল, ৰৰবী শুকদল, সৰুৰবী ইটাখুলি, নসত্ৰ, আইভেটি, ছিলাধাৰী, (উজনিত) কোৱামৰা, শলগুৰি; (ভাটীত) লেতেৰি, ইত্যাদি।

মাধদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছতো ভেলা সত্ৰ আছিল। বুঢ়ীৰ পো-গোবিন্দ ভেলা সত্ৰৰ অধিকাৰ হয়, আৰু বীৰনাৰায়ণ ৰজাই তেওঁক ভক্তি কৰিছিল। ভেতিয়া টোৰাচা নৈয়ে সেই সত্ৰ খহাই নিলত, বুঢ়ীৰ-পো গোবিন্দ অধিকাৰে ৰজাক জনাই মধুপুৰত সত্ৰ পাতিলেগৈ। পূৰ্ব্বে শঙ্কৰদেৱ আৰু মাধৱদেৱ তীৰ্থলৈ যাওঁতে সেই মধুপুৰতে মধু ভোজন কৰিছিল, আৰু শ্ৰীশঙ্কৰদেৱে তেতিয়া কৈছিল যে এই মধুপুৰ থান পিছত প্ৰকাশিত হৈ বিখ্যাত হব। সেইদেখি, ভেলা থান টোৰাচাই খহালত মধুপুৰলৈকে সত্ৰ নিয়া হল। ৰজাই আগত থাকি ভেলা থানৰ ভেটিৰ মাটি কোবেৰে চপৰাচপৰে খনাই ভৰোৱাই লৈ গৈ মধুপুৰ থানৰ ভেটিত দিওৱাই ভেলাথানৰ শুলাৰ চিন ৰখাইছিল। ভেলাত মাথোন এচুকত এক মাটি আছিল, আৰু খহোৱা ঠাইত বালি পৰিছিল। পাছে তাতে পুৰুষোত্তম ঠাকুৰে ঠাই উলিয়াই আকৌ ভেলাৰ থান পাতি সেই থানতে অনেক দিন থাকি কালক্ৰমত বৈকুণ্ঠ-প্ৰয়াণ কৰে।

শ্ৰীশ্ৰীশঙ্কৰদেৱৰ প্ৰধান শিষ্য আৰু তেওঁ পতা ধৰ্ম্মাচাৰ্য্য

- শ্ৰীশ্ৰীহৰিদেৱ ; মনেৰি সত্ৰ ।
  - (আতা পোৱা)
    - জগন্নাথদেৱ ; বৈনাকুচি ।
    - হৰিচৰণদেৱ ; জাগৰা ।
    - কৃষ্ণদেৱ ; চাবোৰি ।
    - নাৰায়ণ-দেৱ ; পবেণা সত্ৰ ।
- শ্ৰীশ্ৰীদামোদৰদেৱ ; পাটবাউসী সত্ৰ ।
  - ভগবানদেৱ ; গোবিন্দপুৰ ।
  - ভট্টদেৱ ; পাটবাউসী । ব্যাহকুচি ।
  - বলদেৱ ; বেহাৰ ।
    - বনমালীদেৱ ; দক্ষিণপাট সত্ৰ ।
  - সত্তদেৱ ; গবৈৰাৰি ।
- শ্ৰীশ্ৰীমাধৱদেৱ ; গণককুচি, সুন্দৰী দিয়া, বৰপেটা, ভেলা সত্ৰ ।
- নাৰায়ণ দাস বা ঠাকুৰ আতা ; জনিয়া সত্ৰ ।

শ্ৰীশ্ৰীমাধৱদেৱে পতা বাৰজন প্ৰধান ধৰ্ম্মাচাৰ্য্য

(১) ৰামচৰণঠাকুৰ (ভাগিন) সুন্দৰীদিয়া (২) মথুৰাদাস বা বুঢ়া আতা, বৰপেটা (৩) বৰবিষ্ণু আতা, চৰবিয়া (৪) কেশৱচৰণ বা ভাটকুচি আতা, বৰজহা (৫) পড়িয়া আতৈ বা পৰিহাপাৰৰ গোপাল, হেৰাৱদৈসত্ৰ (৬) লক্ষ্মীকান্ত আতৈ বা আতা, খোপগুৰি সত্ৰ

(৭) লেচাকণীয়া গোবিন্দ (৮) ভৱানীপুৰীয়া গোপাল আতা আতৈ বা আতা, খটবা সত্ৰ (৯) বংশীগোপাল বা দেৱগোপাল (ব্ৰাহ্মণ) দেৱেৰাপাৰ সত্ৰ (১০) বদুমণি (ব্ৰাহ্মণ) আধাৰ, মাহৰা, যাৰবৰা পটিৰাৰি সত্ৰ

(১১) শ্ৰীহৰি (ব্ৰাহ্মণ), নাইআটা সত্ৰ (১২) পদ্ম আতা বা বদুলা আতা, কমলাবাৰী সত্ৰ

প্ৰধান সেৱক

শ্ৰীৰাম আতা (সত্ৰ নাই)   হৰিহৰ আতা, মেজেঙিয়া সত্ৰ

বৰ বাৰজনীয়া

শ্রীশ্রীশঙ্কৰদেৱৰ পৌত্র পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ

*(১) কেশৱচৰণ (ব্রাহ্মণ) কাওচোং সত্র
(২) গোপীনাথ বা গোবিন্দ (ব্রাহ্মণ) চেকেৰাতলি সত্র
(৩) বাসুদেৱ (ব্রাহ্মণ) চতৰিয়ান সত্র
(৪) জয়কানাই (ব্রাহ্মণ) পোমোঠা সত্র
(৫) পৰমানন্দ ভাগৱতী (ব্রাহ্মণ) ৰতনপুৰ সত্র
(৬) পৰশুৰাম (ব্রাহ্মণ) পুনিয়াৰ ফুলবাৰী সত্র
(৭) শ্রীকৃষ্ণ বা বাপুকৃষ্ণ এলেঙি সত্র
(৮) হৰিচৰণ সাওকুচি সত্র
(৯) কমললোচন কাঠপাৰ সত্র
(১০) মুৰাৰি বেঙেনাআটী সত্র
(১১) কৃষ্ণচৰণ চুপহা সত্র
(১২) কমললোচন ঠকবিয়াল সত্র

* এইজন বৰ ঠাকুৰ সৰু ঠাকুৰ দুইজনৰ আজ্ঞা পোৱা—
"চুৰাপৰিয়াৰ বাপু জানিবা কানাই ॥"
"আবোজন পৰ্মানন্দ জানা ঠাকুৰীয়া ॥"
"শালনবীয়াৰ জানা নামত কৃষ্ণাই ॥"
"বৰ সনাতন নাম বেলশিৰিয়াৰ ॥" বাঁহী ৬ষ্ঠ বছৰ ৩৭৮ পৃষ্ঠা

ভৱানীপুৰীয়া গোপাল আতা

(১) ৰামচৰণ(ব্রাহ্মণ) খৰুৱাবোচৰা বা খৌৰাবোচৰা। হাবুজৰ
(২) শ্রীৰাম আইতগুৰি, কৰতিপাৰ। সনাতন-দিহিং।
(৩) ৰৰযদুমণি বাঁহবাৰী,
(৪) সৰুযদুমণি গজলা বা সৌকাজান।
(৫) পুৰুষোত্তম কাঠপাৰ বা কাঠপাৰ।
(৬) সনাতন নগৰীয়া বা নঘৰীয়া
(৭) মুৰাৰি চৰাইবাহী
(৮) অনিৰুদ্ধ মোৱামৰা বা মাযামৰা নাহৰখটীয়া, হালধিআটী দিনজয়, পুৰণিমাটি।
(৯) নাৰায়ণ, দহৰবীয়া বা
(১০) পৰমানন্দ। (১১) ৰামচৰণ, ইকৰাজান। (১২) উজনীয়া পূৰ্ণানন্দ।
(১৩) কোনোৱে কয়—দলৈৰ-পো-সনাতন। কৃষ্ণআতা।
এক্ষাপুৰীয়া সত্র

ভৱানীপুৰীয়া গোপাল আতাৰ পুত্র কমললোচন

কমললোচনৰ পুত্র— (১) যাদৱানন্দ ভৌকাচাপৰি সত্র। (২) মাধৱানন্দ আমগুৰি সত্র। (৩) দৈৱকীনন্দন কলাকটা সত্র। (৪) স্বৰূপানন্দ ধোপাবৰ। (৫) ৰমানন্দ নাচনিপাৰ, হেযাৰবাৰী।

শ্ৰীশ্ৰীবংশীগোপালদেৱৰপৰা বৰ্‌হা সত্ৰ

মিশ্ৰদেৱ	জয়হৰিদেৱ (লক্ষ্মীকান্তদেৱ)।	নিৰঞ্জনদেৱ বা নিৰঞ্জন পাঠক,	লক্ষ্মীদেৱ	অৰ্জ্জুনদেৱ	গতিকান্ত	হৰি	দামোদৰ
কুৰুৱাবাহী সত্ৰ।	গৰমুৰ সত্ৰ।	আউনীআটী সত্ৰ।	দেৰেৰাপাৰ।	ন-চাপৰি।	শ্ৰীৰণী সত্ৰ।	পৰপুখুৰীয়া।	জখলাবন্ধা।

কুৰুৱাবাহী সত্ৰ:

(১) ৰামচন্দ্ৰ	(২) কৃষ্ণচন্দ্ৰ
কুৰুৱাবাহী।	ডিফলু সত্ৰ।

সৰু বাৰজনীয়া

শ্ৰীশঙ্কৰদেৱৰ পৌত্ৰ চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ।

(১) কামদেৱ	(২) জয়কৃষ্ণ	(৩) জয়কানাই	(৪) গোপীনাথ	(৫) মুকুন্দ	(৬) ৰত্নাকৰ
বনগাওঁ সত্ৰ	খেৰকটীয়া	গোভিৰ সত্ৰ	কাৰৈমাৰি সত্ৰ	হালাধিআটী	শলগুৰি সত্ৰ
(৭) গোবিন্দ	(৮) ৰামভদ্ৰ	(৯) বিষ্ণুদেৱ	(১০) কানাই	(১১) কানু	(১২) সনাতন
(কায়স্থ)	(ব্ৰাহ্মণ)	(ব্ৰাহ্মণ)	(ব্ৰাহ্মণ)	উজনীয়া	বেলশিৰীয়া সত্ৰ
বিহামপুৰ সত্ৰ	নাচনিপাৰ	ভন্দুলাই সত্ৰ	চুঙাপাৰ সত্ৰ		

সাচিপতীয়া পুথি এখনৰপৰা টোকা

"শ্ৰীশঙ্কৰ লগে ব্ৰাহ্মণ ভকত। পৰম আনন্দে কথা শুনা সমাজত ॥ প্ৰথমে দামোদৰ গোপাল বলোৰাম। পৰমানন্দ ভাগৱত ভট্টাচাৰ্য্য নাম ॥ কবি কণ্ঠ বিভূষণ গুৰু গুৰু ৰাম। সদশ্য পৰক্ৰা (?) অনন্ত কন্দলি জাৰ নাম ॥ কলাপ কেশৰি হৰিমিশ্ৰ ৰত্নাকৰ। শ্ৰীধৰ কন্দলি হৰিমিশ্ৰ হৰি বড় ॥ ৰঘুনাথ গোপিনাথ হৰি কৰ্ণপূৰ। জয়দেৱ বংশীবদন দাস সুৰ ॥ ভাগৱত মিশ্ৰ জয়হৰি নিৰঞ্জন। বনমালী গোপীনাথ মদন মন ॥ শ্ৰীধৰ বিষ্ণু যাত্ৰা পুৰি ভাগৱত। পদ্মপাণি চতুৰ্ভুজ জগন্নাথ সন্ত ॥ হৰিগুৰু চিৰিহৰি মাধৱচৰণ। ৰমানন্দ তুলসীদাস বিচিত্ৰানন্দন ॥ মুৰাৰিদাস নাৰায়ণ কমললোচন। সিৱানন্দ সত্যানন্দ গোবিন্দ ৰাম ॥ মাধৱৰ মুখ্য কবি আছে ভক্ত যত। তাসম্বাৰ নাম আৰে শুনিও সমস্ত ॥ হৰিদাস ঠাকুৰক আদি ভক্তগণ। হৰিগুণ নাম কৰা শ্ৰৱণ কীৰ্ত্তন ॥ কমলাকান্ত হৰি বনমালি ৰাম। গোবিন্দ কেশৱ বলোভদ্ৰ আৰু নাম ॥ পৰমানন্দ গোবৰ্দ্ধন মহাকলি হৰি। যদুমণি জগজীৱ কবিচন্দ্ৰ কেশৰি ॥ জয়ন্তি মাধৱ হৰি বল্লভ শ্ৰীৰাম। মুকুন্দ গোপাল মাধৱ আটিৰাম ॥ সিৱানন্দ সত্যানন্দ মথুৰা জয়ানন্দ। অভয় চৰণ যদুমণি সদানন্দ। সন্ত বিভু ৰঘুনাথ মুৰাৰি মাধৱ। ৰঘুপতি ৰঘুনাথ জয়ন্তা যাদৱ ॥ ৰাম কামদেৱ ভক্তদাস জগয়তি। পৰিক্ষিত পঞ্চানন সিৱ চিৰিপতি ॥ শ্ৰীৰামচৰণ বনমালি জনাৰ্দ্দন। অনন্ত লক্ষণ বিভু লক্ষ্মীনাৰায়ণ ॥ ৰামকৃষ্ণ ৰামহৰি গোবিন্দ কেসৱ। মথুৰা ৰাধা হৰি মুকুন্দ যাদৱ ॥ জয়ৰাম জয়বিষ্ণু জয়ন গোপাল। কৃষ্ণাই হৰিচৰণ ৰাতুল দায়াল ॥ স্যামধন ৰামধন হৰিধন কাম। গোপাল চৰণ আৰো মত্তদ্যি স্যাম (?) ॥ জগত মোহনি যদুবৰ জগধৰ। ভৱানন্দ চাৰুভদ্ৰ গতি শশধৰ ॥ সদানন্দ জয়ানন্দ হৃদয় আনন্দ। নিত্যানন্দ জয়ানন্দ সত্য সৰ্ব্বানন্দ ॥ কামেশ্বৰ কানুৰাম সুৰ বিশ্বম্ভৰ। হৰিগতি ৰামগতি সম্ভু মাধৱৰ ॥ গদাধৰ চক্ৰপাণি পদ্মপাণি ৰাম। বাসুদেৱ অনিৰুদ্ধ তুলাধৰ কাম ॥ সন্তভূষণ জনাৰ্দ্দন পদ্মপাণি। নাৰায়ণ হৰিৰামভক্ত ভাল জানি ॥ পাগল গদা ৰাধা গোপাল। গৌৰাঙ্গ যাদৱ ৰামৰাই কৃপাল ॥ এই সাত কুৰি ভক্ত গাই থাকে নাম। শঙ্কৰক আৱৰিয়া থাকে অবিশ্ৰাম ॥ এসম্বাৰ পদৰেণু অতিজন্ম-মনে। একেবাৰে প্ৰণামোহো সৱাৰ চৰণে ॥"

"ভকতৰ বান্ধৱ মাধৱদেৱ হৰি। কৃষ্ণৰ বৰে আসি অৱতাৰ ধৰি ॥ সংসাৰি লোকক কৃপা কৰিলা অপাৰ। কৃষ্ণে সনে নাম ধৰ্ম্ম কৰিলা প্ৰচাৰ ॥ হেনয় গুৰুৰ দুই অভয় চৰণ। কায় বক্যে মনে তাত পশিলো শৰণ ॥ অনাদি জনমে আক কৰ্ণে নুশুনিলো। হেনয় দুৰ্লভ বস্তু হাততে লভিলো ॥ গুৰুবো পৰম গুৰু দেৱতাবো দেৱ। তোমাৰ চৰণে লক্ষ কোটি বাৰ সেৱ ॥ দামোদৰ দাসৰো দাসৰো তাৰ দাস। বাৰ বাৰ বুলিও—॥" *

মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্ম্মমত

মহাপুৰুষ শঙ্কৰদেৱে জড় মূৰ্ত্তিত ঈশ্বৰ বুদ্ধি কৰি উপাসনা কৰাৰ বিৰুদ্ধে শিক্ষা দিছিল। "তীৰ্থ বুলি কৰে জলত শুদ্ধি, প্ৰতিমাত কৰে দেৱতা বুদ্ধি, বৈষ্ণৱত নাই ইসব মতি, গৰুতো অধম, কৃষ্ণ বদতি।" কোনোৱে কিন্তু কীৰ্ত্তনৰ ধ্যান বৰ্ণন অধ্যায় আৰু শঙ্কৰে বৰদোৱাত থাকোঁতে জগন্নাথ দেৱৰ প্ৰতিমা সজোৱা কথাৰ দ্বাৰাই শঙ্কৰে যে পৌত্তলিকতা শিক্ষা দিছিল এনে প্ৰমাণ কৰিব খোজে।

শঙ্কৰৰ ধ্যান বৰ্ণনত যি ধ্যানৰ কথা আছে সি মানস ধ্যান। ঈশ্বৰ চিন্তাৰ কাৰণে প্ৰথম অৱস্থাত মানুহে এটি ৰূপ চিন্তা বা ধ্যান কৰিব লাগে, নহলে চিত্ত স্থিৰ নহয়, কোনো ধাৰণা হব নোৱাৰে। সেই দেখিহে তেওঁ "মুখে বোলোঁ ৰাম, হৃদয়ে ধৰোঁ ৰূপ" এনে কথা শিকাইছিল। অজ্ঞান লোকবিলাকক ব্ৰহ্মজ্ঞান শিক্ষা দিবৰ নিমিত্তে শাস্ত্ৰকৰ্ত্তাবিলাকে ব্ৰহ্মৰ ৰূপ কল্পনা কৰিছিল।

"চিন্ময়স্যাদ্বিতীয়স্য নিষ্কলস্যাশৰীৰিণঃ।
উপাসকানাং কাৰ্য্যাৰ্থং ব্ৰহ্মণোহৰূপ কল্পনা ॥"

উপাসকবিলাকৰ সাধনাৰ সাহায্যাৰ্থে শৰীৰহীন, উপাধিশূন্য অদ্বিতীয় জ্ঞানৰূপ পৰমেশ্বৰৰ ৰূপ কল্পনা কৰা হৈছে। এয়ে সাকাৰ উপাসনাৰ মূল। শঙ্কৰৰ উদ্দেশ্য আছিল অজ্ঞবিলাকক ব্ৰহ্মজ্ঞান শিক্ষা দিয়া। বাস্তৱিক ঈশ্বৰ সাধনাৰ পথত আগবঢ়া লোকৰ অৱস্থাত হে এনে উপাসনা আৱশ্যকীয়। যি এই পথত ভালকৈ আগুৱাব পাৰিছে তেওঁৰ এনে প্ৰকাৰ অৱলম্বন নহলেও হব পাৰে। মলয় বতাহ এনেই বলি থাকিলে তালবৃন্তৰ আৱশ্যক কি? নাম উচ্চাৰণ কাৰোঁতে কৰোঁতে প্ৰথমে নামত ৰুচি পাছত নামত আসক্তি আৰু শেহত নামত আনন্দ জন্মে। তেতিয়া নাম উচ্চাৰণ বা শ্ৰৱণ মাত্ৰেই ভক্ত আনন্দত পৰিপ্লুত হয়। গৰখীয়া ল'ৰাই ভগৱান শ্ৰীকৃষ্ণৰ নাম গোৱা শুনি আনন্দত শঙ্কৰৰ চকুৰ লোতক বাগৰি পৰিছিল। সেই প্ৰকাৰে ঈশ্বৰক চিন্তা কৰি যি সাধক হব পাৰিছে তেওঁৰ সামান্য কথাতে ব্ৰহ্মস্ফূৰ্ত্তি হয়। এটি কম বয়সীয়া ইংৰাজ ল'ৰাই দেৱালত আউজি ত্ৰিভঙ্গভাৱে থিয় হৈ থকা দেখি মহাত্মা ৰামকৃষ্ণ পৰমহংসৰ সমাধি অৱস্থা হৈছিল। ত্ৰিভঙ্গ ৰূপ দেখিয়েই তেওঁৰ ব্ৰহ্মস্ফূৰ্ত্তি হল। কিন্তু beginner অৰ এনে অৱস্থা হব নোৱাৰে। গতিকে ঈশ্বৰৰ কল্পিত ৰূপৰ মানস-ধ্যান আৱশ্যক। কিন্তু ঈশ্বৰ-বুদ্ধি কৰি মাটি বা শিলৰ প্ৰতিমাক পূজা আদি কৰা গৰু সদৃশ মূৰ্খৰ কাম।

"আপ্সুদেৱা মনুষ্যাণাং দিবি দেৱা মনিষিণাং
কাষ্ঠলোষ্ট্ৰেষু মূৰ্খাণাং মুক্তিস্যাত্মনি দেৱতা।"

মাধৱদেৱে লিখিছে,—"অব্যক্ত ঈশ্বৰ হৰি, কি মতে পূজিবা তাঙ্ক, ব্যাপকত কিবা বিসৰ্জ্জন। এতাৱন্ত মূৰ্ত্তিশূন্য কোন মতে চিন্তিবাহা, ৰাম বুলি শুদ্ধ কৰা মন ॥" ইয়াকে দেখিও বহুতে ভাবে যে শঙ্কৰে সাকাৰ উপাসনাৰ আৰু মাধৱে নিৰাকাৰ ঈশ্বৰৰ সাধনাৰ শিক্ষা দিছিল। বাস্তৱিক ঈশ্বৰ যে নিৰ্গুণ, নিৰাকাৰ নিৰ্ব্বিকাৰ, চৈতন্যস্বৰূপ এই কথা দুয়ো কৈছে। কেৱল ভক্তৰ নিমিত্তে হে তেওঁ সাকাৰ আৰু সগুণ। নহলে অল্পবুদ্ধিৰ মানুহে কেনেকৈ নিৰাকাৰ নিগুণ ব্ৰহ্মৰ ধাৰণা কৰিব। সেইদেখি লোকে মানৱীয় উত্তম গুণবিলাকৰ উৎকৰ্ষ ব্ৰহ্মত আৰোপিত কৰি তেওঁক সগুণ ঈশ্বৰ ভাৱে আৰাধনা কৰে। সগুণ ঈশ্বৰৰ আৰাধনা কৰোঁতে জ্ঞানোন্নতি হলে শেহত নিৰ্গুণ ঈশ্বৰৰ সাধনাত ধৰিব পাৰি। ওপৰত তুলি দিয়া ঘোষাৰ পদ কেফাকিৰ আগতে লিখিছে, "একান্ত ভকতসৱে, নিগুণ কৃষ্ণৰ গুণ, গাৱে সদা বসিয়া যথাত। বৈকুণ্ঠকো পৰিহৰি, যোগীৰ হৃদয় এৰি, থাকে হৰি সাক্ষাতে তথাত।" আকৌ ঘোষাৰ এঠাইত আছে, 'নিৰ্গুণ কৃষ্ণৰ, গুণক প্ৰকাশ, কৰিলা শ্ৰীশঙ্কৰে।" নিৰ্গুণৰ গুণ বাস্তৱিক Paradox ইয়াৰ অৰ্থ এই যে নিৰ্গুণ ঈশ্বৰকে ভক্তসকলে সগুণ ভাৱে আৰাধনা কৰে। সগুণ ঈশ্বৰৰ হে সাকাৰ উপাসনা অৰ্চ্চনা আদি বোলা যায়। নিৰ্গুণ নিৰাকাৰ ব্ৰহ্মৰ সাধনাৰ প্ৰকৃততে কোনো নাম হব নোৱাৰে; কাৰণ শব্দ বা নাম মাত্ৰেই গুণবাচক। তথাপি যিমান দূৰ ব্যক্ত কৰিব পৰা যায় ভাষাত ইয়াক যোগ বোলা হৈছে অৰ্থাৎ পৰমাত্মাৰ লগত জীৱাত্মাৰ মিলন।

এতেকে ঈশ্বৰ নিৰাকাৰ আৰু সাকাৰ। কিন্তু আকাৰ বুলিলে আমি যি বুজোঁ তেওঁ তাৰ অতীত। তেওঁৰ কোনো জড় স্থূল কিম্বা সূক্ষ্মপৰমাণুবিশিষ্ট ৰূপ নাই

* পুৰণি জীৰ্ণ সাঁচীপতীয়া সৰু পুথি এখন আমি আমাৰ শ্ৰদ্ধাস্পদ সুহৃদ শ্ৰীযুক্ত হেমচন্দ্ৰ গোস্বামী ই, এ, চি ডাঙৰীয়াৰ-পৰা পাইছিলোঁ। সেই পুথিখন দামোদৰীয়া ভক্ত এজনৰ দ্বাৰাই যে ৰচিত সেই কথা এই টোকাৰে দ্বিতীয় শ্লোকৰ পঢ়িলেই বুজিব পাৰি। —গ্ৰন্থকাৰ।

আৰু হব নোৱাৰে। মাধৱদেৱে লিখিছে "যতেক প্ৰাকৃত আকাৰ মণ্ডিত, ভৈলন্ত যিহেতু হৰি। সেই হেতুতেসে নিৰাকাৰ নাম, আছন্ত ঈশ্বৰে ধৰি ॥" কিন্তু নিৰাকাৰ বুলি তেওঁ একেবাৰে শূন্য নহয়। শাস্ত্ৰমতে তেওঁৰ ৰূপ আছে যাক ভক্তসকলে দৰ্শন কৰিব পাৰে। সেই ৰূপ নিত্যৰূপ, সেই ৰূপেই সৎচিৎ আনন্দৰূপ। সেইৰূপ ভাষাত ব্যক্ত কৰিব পৰা নাযায়। চৰ্ম্ম-চকুৰে তাৰ দৰ্শন হব নোৱাৰে। অন্তৰ তন্ময় হলে, ভক্তি-চকু মেল খালে হে সেই নিত্যৰূপ দৰ্শন কৰা যায়। এনে দৰ্শন লাভ কৰা সৌভাগ্যশালী সিদ্ধ পুৰুষৰ হে হব পাৰে :—

"শৃণ্বন্তু বিশ্বেহমৃতস্য পুত্ৰা আ যে ধামানি দিব্যানিতস্থু :
বেদাহমেতং পুৰুষং মহান্তমাদিত্যবৰ্ণং তমসঃ পৰস্তাৎ॥"

হে দিব্যধামবাসী অমৃতৰ পুত্ৰসকল। তোমালোকে শুনা। মই সেই তিমিৰাতীত জ্যোতিৰ্ম্ময় মহান্ পুৰুষক জানিছোঁ।

কিন্তু ভক্তৰ জ্ঞানৰ উন্নতি হৈ যেতিয়া তত্ত্বজ্ঞান পৰিস্ফুত হয় তেতিয়া আৰু ৰূপ দেখা নাযায়। তেতিয়া অখণ্ড সচ্চিদানন্দ ব্ৰহ্মক উপলব্ধি হয়। ইয়াৰ উপমা যেনে সচ্চিদানন্দ অপাৰ সাগৰ, তাৰ আকাৰ আয়তনৰ কোনো ধাৰণা নহয়। মাজে মাজে ভক্তিৰূপ হিমৰ দ্বাৰা সি বৰফ হৈ আকাৰ ধাৰণ কৰিছে। জ্ঞানসূৰ্য্য উদয় হোৱাৰ পাছত বৰফ গলি যায়, তেতিয়া আকৌ অপাৰ সমুদ্ৰ। "জ্ঞান প্ৰসাদেন বিশুদ্ধ সত্ত্ব স্ততস্তু তং পশ্যতে নিষ্কলং ধ্যায়মানঃ" জ্ঞানৰ প্ৰসাদত শুদ্ধচিত্ত লোকবিলাকে ধ্যানযুক্ত হৈ নিৰৱয়ৱ ব্ৰহ্মক উপলব্ধি কৰে। এই অৱস্থা কাৰো হলে "কৰতলন্যস্ত আমলকৱৎ" আৰু কোনো সংশয় নেথাকে। "ভিদ্যতে হৃদয়গ্ৰন্থি শ্ছিদ্যন্তে সৰ্ব্ব সংশয়াঃ"।

শঙ্কৰদেৱে আৰু মাধৱদেৱে অনাৱশ্যক হোম, যাগ, পূজা আদি কৰ্ম্ম এৰি ভক্তিকে একান্তমনে ধৰিবলৈ শিকাইছিল আৰু সেই উদ্দেশ্যতে হে ওপৰত উদ্ধৃত কৰা ঘোষাৰ পদ কেফাকি লিখা হৈছিল। তাৰ ঠিক পাছৰ পদৰপৰা ইয়াক ভালকৈ বুজা যায়,—"কৰ্ম্মত বিশ্বাস যাৰ, হিয়াতে থাকন্তে হৰি, অতিশয় দূৰ হোন্ত তাৰ।" শঙ্কৰৰ একাদশ স্কন্ধত আছে, যাৰ যেন মতি কৰে বেদক ব্যাখ্যান। নিজ ধৰ্ম্ম ভকতিক ত্যাজি বুজে আন॥ কেহো বোলে বেদে কৰে যজ্ঞ ব্ৰত দান। কতো বোলে ক্ষুদ্ৰ দেৱ পূজা তীৰ্থ স্নান॥ কেহো বোলে বেদে কহে জ্ঞানতে সে গতি। গুণৰ ইচ্ছাই বুজে যাৰ যেন মতি॥ * * * মহাবে কৰ্ম্মৰ শোক দুঃখ প্ৰতি দিলে। জ্ঞানতো নাহিক গতি ভকতি বিহনে॥ * * তপ জপ সন্ন্যাস পৰম মহামানে। সন্ন্যাসে আমাক পাবি যোগ মহাজ্ঞানে॥ কেৱলে ভকতি একে মোক কৰে বশ্য।" ইত্যাদি। মহাচলত্তে বি ভক্তিমাৰ্গ আশ্ৰয় কৰে তেওঁৰ কৰ্ম্মত বিশ্বাস নাই। জৈমিনিৰ পূৰ্ব্বমীমাংসাৰ প্ৰবৃত্তি-ধৰ্ম্মৰ ক্ৰিয়া-কাণ্ডৰ শিক্ষা খণ্ডন কৰাৰ কাৰণেই ব্যাসদেৱৰ নিবৃত্তি ধৰ্ম্মৰ উত্তৰমীমাংসাৰ সৃষ্টি যেন অনুমান হয়। বেদান্তৰ শাৰিৰক ভাষ্যকাৰ পূজ্যপাদ শঙ্কৰাচাৰ্য্যই "অথাতো ব্ৰহ্মজিজ্ঞাসা" এই আদি সূত্ৰৰ টীকা কৰোঁতে কৈছে যে চিত্ত-শুদ্ধি হে ব্ৰহ্মজিজ্ঞাসাৰ হেতু হব পাৰে। যজ্ঞ হোম আদি কৰ্ম্ম মীমাংসাৰ ক্ৰিয়া তেনে হেতু হব নোৱাৰে। সেইবিলাক বৰং ব্ৰহ্মজিজ্ঞাসাৰ বাধা হয়। বহুতে ব্ৰত কৰি বেদাদি অধ্যয়ন কৰে কিন্তু তথাপি ব্ৰহ্মজিজ্ঞাসু নহয়। বহুতে নানা প্ৰাকৃতিক তত্ত্ব বিষয়ৰ জ্ঞানলাভ কৰিব প্যৰিছে কিন্তু ব্ৰহ্মতত্ত্ব জানিব নোৱাৰে। বহুতে স্মৃতি তৰ্ক দৰ্শন আদিত পাৰ্গত হৈছে কিন্তু ব্ৰহ্মজ্ঞান লাভ কৰিব পৰা নাই। বহুতে নিত্য গঙ্গাস্নান, জপ, তৰ্পণ, দান, দেৱকাৰ্য্য, পিতৃ-কাৰ্য্য আদি কৰিব লাগিছে কিন্তু তেওঁলোকৰো ব্ৰহ্ম-জ্ঞানৰ উদয় হোৱা নাই। বেদান্তবাদীৰ মতে ধৰ্ম্ম ক্ৰিয়া আদিৰ দ্বাৰাই যি চিত্তপ্ৰসন্নতা হয় সেয়ে মাত্ৰ তাৰ ফল আৰু জানিত বা অজানিত ভাৱে এই ফল প্ৰত্যাশা কৰিয়েই কৰ্ম্ম সাধাৰণত কৰা হয়, সেই বাবে এনে সকাম কৰ্ম্ম ব্ৰহ্মজিজ্ঞাসাৰ অনুকূল নহৈ বৰং প্ৰতিকূল হয়। কৰ্ম্ম নিষ্কাম ভাৱে কৰিব নোৱাৰিলে চিত্তশুদ্ধি নহয় ; অথচ চিত্তশুদ্ধি হলে হে তত্ত্বজ্ঞান হয় আৰু তত্ত্বজ্ঞান হলেহে মুক্তি হয়, শ্ৰৌত বা স্মাৰ্ত্ত কৰ্ম্মৰ সহায়ত নহয়, এই কথা বেদান্তবাদীসকলে দঢ়াই দঢ়াই কৈছে। বেদান্তৰ ব্যাখ্যাকাৰ অদ্বৈতবাদী শঙ্কৰাচাৰ্য্য আৰু বিশিষ্টাদ্বৈতবাদী ৰামানুজ স্বামী উভয়ে এই কথাত মিলে। কিন্তু শঙ্কৰাচাৰ্য্যই জ্ঞান-মাৰ্গক আৰু ৰামানুজে ভক্তিমাৰ্গক শ্ৰেষ্ঠ বুলিছে। জ্ঞানমাৰ্গৰ সোহহং ভাৱত ভক্তিৰ স্থান নাই, সেইদেখি ভক্তিমাৰ্গ ভগৱান আত্মাতকৈ বিশেষ অৰ্থাৎ transcendental। এই ভাৱেই সৰ্ব্বত্ৰ বৈষ্ণৱ সমাজত প্ৰবল।

সংসাৰীৰ পক্ষে সোহহং ভাৱ অসম্ভৱ আৰু অনুপ-যুক্ত। সংসাৰীয়ে কত খুন, কত জাল, কত চুৰ, কত পৰস্ত্ৰীহৰণ আদি ভয়ঙ্কৰ ভয়ঙ্কৰ পাপ কৰিব লাগিছে। তেনে সংসাৰীয়ে যদি কয় "হে ঈশ্বৰ, তুমিয়ে মই, মইয়ে তুমি" তেনেহলে কেনে শুনায় ? অবিদ্যাৰ নাশ হলে, দেহবুদ্ধি গলে, মানুহ জীৱন্মুক্ত হয় ; কিন্তু দেহবুদ্ধি যায় কত ? "মই" ভাৱ কেতিয়াও সংসাৰীৰ নাযায়। ৰামকৃষ্ণ পৰমহংসই হৃদয়কৈ কৈছিল 'আমি' গেলে ঘুচিবে জঞ্জাল কিন্তু 'আমি' তো যায়না, তবে থাকু শালা 'দাস আমি' হয়ে।" অৰ্থাৎ যি পৰ্য্যন্ত দেহবুদ্ধি থাকে সেই পৰ্য্যন্ত সেব্য সেৱকৰ ভাৱৰ ভক্তিয়েই সংসাৰী লোকৰ পক্ষে সহজ আৰু উপযুক্ত। এই কাৰণে তাঁৰ

ভক্তিয়েই মহাপুৰুষীয়া ধৰ্ম্মৰ মূল শিক্ষা। এই দাস ভাৱৰ প্ৰাৰ্থনা কেনে সুন্দৰ যোষাৰপৰা দেখক :—

"সহস্ৰ সহস্ৰ আতি অপৰাধ দিনৰাতি
কৰোঁ মই মহামূঢ় জন।
আমি প্ৰভু তয়ু দাস আকে জানি জগবাস
ৰাখিওক শ্ৰীমধুসূদন ॥
ধৰ্ম্মক জানোহোঁ মই তথাপি প্ৰবৃত্তি নাই
অধৰ্ম্মতো নিবৃত্তি নহয়।
হৃদিস্থিত তুমি যেনে কৰোৱাহাঁ স্বামী
হৃষিকেশ কৰিবোঁ তেনয় ॥
নজানোহো আবাহন নজানোহো বিসৰ্জনৰ
পূজামাত্ৰ নাজানো কিঞ্চিৎ।
এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণৰ
মোৰ গতি সাধিবে উচিত ॥"

মুছলমানে মচজিদপৰা, খৃষ্টান পাদুৰীয়ে পুলপিটৰপৰা, ব্ৰাহ্ম আচাৰ্য্যই বেদীৰপৰা অবাধে এই প্ৰাৰ্থনা কৰিব পাৰে। কাৰণ এই ভাৱৰ ঈশ্বৰ ভক্তিয়েই বিশ্বজনীন universal religion.

ভক্তিতেই চিত্ত শুদ্ধি হয়, জ্ঞান উদয় হয়। একাদশ স্কন্ধত শ্ৰীকৃষ্ণই উদ্ধৱক কৈছে "জ্ঞানে গতি কৰে বেদ, লগো তাৰ পৰিচ্ছেদ, আছে জ্ঞান ভকতিৰ মাজে।" নাৰদ, সনক, সনন্দ, সনাতন, সনৎকুমাৰ প্ৰভৃতি ঋষিসকলে জ্ঞানী হৈও ভক্তি-পথ হে দেখুৱাই গৈছে। এওঁলোক "মুক্তিতো নিস্পৃহ" আছিল অৰ্থাৎ তত্ত্বজ্ঞান লাভ কৰি নিৰাকাৰ নিৰ্গুণ ব্ৰহ্মক উপলব্ধি কৰিও আকৌ সগুণ ঈশ্বৰৰ ভক্তিকে শ্ৰেষ্ঠ বুলি মানিছিল। যীশুখৃষ্ট, কবিৰ, নানক, চৈতন্য, ৰামানন্দ, শঙ্কৰদেৱ প্ৰভৃতি মহাত্মাসকলে ব্ৰহ্মজ্ঞান লাভ কৰিও লোকহিতাৰ্থে ভক্তি-পথকে প্ৰৱৰ্ত্তন কৰি গৈছে। এয়ে প্ৰকৃত সনাতন ধৰ্ম্ম পথ। বেদান্তৰ সাৰ, ভক্তি প্ৰৱৰ্ত্তক অমূল্য গ্ৰন্থ ভাগৱত আৰু গীতা এই ধৰ্ম্মৰ ভিত্তি স্বৰূপ। এই ধৰ্ম্মকে শিক্ষা দি অনাৱশ্যক ক্ৰিয়াদি পৰিত্যাগ কৰাই হৰিভক্তিত লোকক ৰত কৰাবলৈ পুৰুষাৰ্থ কৰাৰ বাবেই শঙ্কৰ, মাধৱ, দামোদৰ প্ৰভৃতিৰ বিৰুদ্ধে ৰজাৰ গুৰিত স্বাৰ্থপৰ লোকবিলাকে ভিন ভিন সময়ত গোচৰ কৰিছিল। এই মহাত্মাসকলে যেতিয়া ধৰ্ম্ম প্ৰচাৰ আৰম্ভ কৰে তেতিয়া লোকসমাজত ক্ৰিয়াকাণ্ডৰ আধিপত্য খুব আছিল। এনে কি ক্ৰিয়াবিলাক ক্ৰমে ইতৰ লোকৰ ভিতৰত অনাচাৰত পৰিণত হৈছিলগৈ। অনাচাৰীবিলাকে তেওঁলোকৰ ধৰ্ম্মমত বৌদ্ধমত বুলি নিন্দা কৰিছিল। আৰ্য্য ঋষিবিলাকৰ কেবা যুগব্যাপী অনুশীলনৰ চৰম ফল, আৰ্য্য দৰ্শনৰ সাৰ বেদান্তাদি যি ধৰ্ম্মৰ ভিত্তি সেই ধৰ্ম্মমত শাস্ত্ৰবিৰুদ্ধ বৌদ্ধমত বুলি আজিকালিও কোনো লোকে কবলৈ সাহ কৰে, ইহে আচৰিত। প্ৰকৃত সনাতন ধৰ্ম্ম কি তাক নজনাৰ বাবেই লোকে এনে মন্তব্য প্ৰকাশ কৰে।

ভগৱানোক্ত বেদসকল আৰু তদন্তৰ্গত ব্ৰাহ্মণ, সংহিতা আৰু উপনিষদবিলাক, ঋষিপ্ৰণীত বেদান্তাদি ষড়দৰ্শন পূৰ্ব্বাপৰ এতিয়াও আছে। কোনো কালে সেইবিলাক লুপ্ত হোৱা নাছিল। * সেইবিলাক অধিকাৰ ভেদে ভিন্ন ভিন্ন লোকৰ উপযুক্ত ধৰ্ম্মশিক্ষা থকা সত্বেও দেশত অধৰ্ম্মৰ বিস্তাৰ কিয় হল? পৰিত্ৰাণ আৰু ধৰ্ম্ম সংস্থাপৰ অৰ্থে যুগে যুগে কিয় ভগৱানৰ অৱতাৰ আৱশ্যক হয়? বুদ্ধ, মহাবীৰ, নানকাদি মহাত্মাসকলে কি নিমিত্তে ভিন ভিন সময়ত আবিভাৱ হৈ ধৰ্ম্ম প্ৰচাৰ কৰিব লাগিছিল? ইয়াৰ কাৰণ এনে অনুমান হয় যে প্ৰাচীন কালত ইতৰ লোকবিলাকৰ প্ৰকৃত ধৰ্ম্ম শিক্ষাৰ্থে বিশেষ সুবন্দৱস্ত নাছিল। আৰ্য্য ঋষিসকলৰ সময়ত শূদ্ৰাদি ইতৰ লোকৰ গূঢ় দাৰ্শনিক ধৰ্ম্মতত্ত্বসকলৰ ধাৰণা কৰিবৰ শক্তি নাছিল। সেইবাবে সিহঁত এক প্ৰকাৰ সনাতন ধৰ্ম্ম শিক্ষাৰ বহিৰ্ভূত আছিল। ঋষিসকলৰ পৰবৰ্ত্তী সময়ত চতুৰ্জ্জাতিৰ স্থলত নানা জাতি হল। এক ব্ৰাহ্মণ শ্ৰেণীত বাজে আন সকলো জাতি এক প্ৰকাৰ খিচিৰি হৈ নানা জাতিৰ সৃষ্টি হল। এই সুযোগত বহুত ইতৰ শ্ৰেণীৰ লোকৰ উন্নতি হল, কিন্তু এই লোকসকলৰ আৰ্য্য ধৰ্ম্মৰ সাৰ গ্ৰন্থবিলাকত অধিকাৰ নাছিল। এই লোকবিলাকক কুলীন যাজক সম্প্ৰদায়ে যি ধৰ্ম্ম বুজাই দিছিল তাত পৰে সিহঁতৰ আন ওখ ধৰ্ম্মভাৱ নাছিল। যাজক শ্ৰেণীৰ খুব প্ৰাধান্য বাঢ়িল। শেহত স্বাৰ্থলোভী যাজকবিলাকৰ শিক্ষাৰ ফলত ইতৰ শ্ৰেণীৰ লোকৰ মাজত দেৱতা উপদেৱতা আদিৰ নিৰৰ্থক পূজা আৰু নানা প্ৰকাৰ কুসংস্কাৰ প্ৰচলিত হল। হংস, পাৰাৱত, ছাগ, কূৰ্ম্ম, মহিষ ইত্যাদিৰ বলিদানৰ বিশেষ আড়ম্বৰ বাঢ়িল। এনে কি, ধৰ্ম্মৰ নামত নৰহত্যা পৰ্য্যন্ত কৰা হল। সৰহ দূৰলৈ নাযাওঁ, আমাৰ দেশৰ কামাখ্যা, কেঁচাইখাতী আদি ঠাইত গোসাঁনীৰ আগত নৰবলিও দিয়া হৈছিল। "ভোগী"বিলাকৰ বিৱৰণ পঢ়িলে শৰীৰ শিঁয়ৰি উঠে। এইবিলাক ক্ৰিয়া কাণ্ডৰ যাজকবিলাকক উদ্দেশ্য কৰিয়েই শাস্ত্ৰত বোধকৰো কৈছে—

"নযোনিৰ্নাপি সংস্কাৰো ন শ্ৰুতং নচ সন্ততিঃ।
কাৰণানি দ্বিজত্বস্য বৃত্তমেৱ তু কাৰণম্ ॥"

* অতি প্ৰাচীন কালত উপবেদ বা তন্ত্ৰ নামৰ বেদৰ আৰু এটা অঙ্গ থকা জনা যায়। সেইকালত নানা অলৌকিক বিজ্ঞান ৰহস্য আছিল। কোনো কোনোৱে বিশ্বাস কৰে যে বৰ্ত্তমান যুগত সেই শাস্ত্ৰৰ অধিকাৰীৰ অভাৱৰ নিমিত্তে ত্ৰিকালজ্ঞ ঋষি সকলে সেইবিলাক লোকৰ অগম্য আশ্ৰমবিলাকত ৰাখিছে। বৰ্ত্তমান যিসকল শাস্ত্ৰ তন্ত্ৰ নামে পৰিচিত সেইবিলাক কলিযুগকালেও বেদৰ অন্তৰ্গত নাছিল।

ব্ৰাহ্মণ বংশত জন্ম, কিম্বা সংস্কাৰ, কিম্বা বেদ অধ্যয়নৰ দ্বাৰাই দ্বিজত্ব লাভ নহয়। ব্ৰাহ্মণৰ আচাৰৰ দ্বাৰাই হে ব্ৰাহ্মণত্ব হয়। বাস্তৱিক এই অশিক্ষিত লোকবিলাকক অজ্ঞানতা আৰু কুসংস্কাৰৰ অন্ধকাৰ কূপত পেলাই থৈ নিজ স্বাৰ্থ উদ্ধাৰ কৰাই এক শ্ৰেণীৰ নীচমনা যাজকৰ ঘাই নীতি আছিল যেন বোধ হয়। এয়ে প্ৰাচীন হিন্দু সভ্যতাৰ গাৰ ডাঙৰ চেকা। হায়, এতিয়া নানা প্ৰকাৰ নিৰৰ্থক ব্যাখ্যা sophistrics কৰিলেও সি চেকা মছিব নোৱাৰি।

বুদ্ধ, মহাবীৰ, কবিৰ, নানক প্ৰভৃতি মহাত্মাসকলৰ নিচনাকৈ এই অজ্ঞ হীন জাতিৰ লোক বিলাকক যথাৰ্থ ধৰ্মশিক্ষা দি সিহঁতক উদ্ধাৰ কৰিবৰ অৰ্থে হে শঙ্কৰে ঘাইকৈ চেষ্টা কৰিছিল। শঙ্কৰে বহলকৈ ভেটি পাতি অট্টালিকা সাজিবৰ দিহা কৰিছিল। মাধৱে সেই অট্টালিকাৰ ওপৰৰ ভাগ সম্পূৰ্ণ কৰিছিল। মাধৱৰ ৰচনা আৰু শিকনি গভীৰ দাৰ্শনিক তত্বমূলক। এই কাৰণে হে দুইবো ৰচনাৰ অলপ তাৰতম্য দেখা যায়।

প্ৰকৃততে দুয়ো একে শিক্ষাকে দিছিল। শঙ্কৰ গৃহী আৰু মাধৱ সংসাৰ বিৰাগী আছিল। কিন্তু মাধৱে বৈৰাগ্য শিক্ষা দিয়া নাছিল। কিজানি সংসাৰী লোকে একেবাৰে বেদ-পথ এৰে এনে আশঙ্কা কৰি তেওঁ লিখিছে "অবিৰক্ত ভকতৰ বেদ লংঘিবাৰ দোষ, মানিবাহাঁ ইয়াক নিশ্চয়। পৰম বিৰক্ত যিটো, কৃষ্ণৰ ভকত ভৈল, তাৰ একো নাহিকে নিৰ্ণয়॥" সংসাৰী হলে বেদৰ বিহিত কৰ্ম্ম কৰে কিন্তু সেইসকল ভক্তি-অবিৰোধী কৰ্ম্ম হব লাগে। সেইদেখি তেওঁ লিখিছে "তাৰত কৃষ্ণৰ ভক্ত নৰে, ভক্তি অবিৰোধী কৰ্ম্ম কৰে, কৃষ্ণৰ কথাত ৰতি যাৰে নোপজয়। যেবে ভৈল কৃষ্ণ কথা ৰত, নিত্য নৈমিত্তিক আদি যত, কথাৰ বিৰোধী জানিয়া সবে ত্যজয়॥" নিষ্কাম ভাৱে কৰা কৰ্ম্মহে এনে ভক্তি-অবিৰোধী কৰ্ম্ম হব পাৰে। মাধৱে বৈৰাগী হৈ যি শিক্ষা দিছিল শঙ্কৰে তেওঁৰ অমূল্য জীৱনৰ অমূল্য দৃষ্টান্তৰ দ্বাৰাই তাকে বুজাইছে; অৰ্থাৎ সংসাৰী হবা, কিন্তু অনাসক্ত ভাৱে এহাতেৰে যেনেকৈ সংসাৰ কৰা, আন হাতেৰে তেনেকৈ ভগৱানৰ পাদপদ্মত ধৰি থাকিবা। সংসাৰীৰ বিবেক আৱশ্যক। বিবেক কি? যে ঈশ্বৰেই সত্য, জগতৰ আন সকলো বিষয় বস্তু অনিত্য, এই বুদ্ধি। এই জ্ঞানৰ বৰ্ম্ম পিন্ধি সংসাৰী হলে কোনো ভয় নাই। এৰাঁ গাখীৰ পানীত দিলে পানীৰে একেবাৰে বিহলি হৈ যায়। তেতিয়া পানীৰপৰা গাখীৰ উদ্ধাৰ কৰা অসম্ভৱ হয়। কিন্তু দুগ্ধৰ উৎকৰ্ষ সাধন কৰি যেতিয়া মাখন প্ৰস্তুত কৰা হয় তেতিয়া সেই মাখনক নিঃশঙ্কভাৱে পানীত ৰাখিব পাৰি। দুগ্ধৰ যেনেকৈ উৎকৰ্ষ কৰা যায় সেই প্ৰকাৰ চিত্তকো শুদ্ধ কৰা যায়। সংসাৰৰূপ জলত শুদ্ধ চিত্ত হৈ মাখনৰূপে অৰ্থাৎ নিৰ্লিপ্ত ভাৱে থাকিব পাৰে। এই চিত্তশুদ্ধিৰ একমাত্ৰ উপায় সাধু-সঙ্গ আৰু ভক্তি সহকাৰে ঈশ্বৰৰ নাম গুণ কীৰ্ত্তন। এয়ে উত্তম মহাপুৰুষৰ শিকনি।

জ্ঞানযোগ, কৰ্ম্মযোগ আৰু ভক্তিযোগ এই তিনিটি পথৰ লক্ষ্য এক—ব্ৰহ্মপ্ৰাপ্তি। কলিত অন্নগত প্ৰাণ। কলিৰ লোকৰ পক্ষে জ্ঞানযোগ আৰু কৰ্ম্মযোগ কঠিন। দেহবুদ্ধি কোনো প্ৰকাৰে নাযায়, লোক মায়াত ডুব গৈ থাকে। জ্ঞানৰ দ্বাৰাই চিত্তশুদ্ধি হোৱা বৰ কঠিন গতিকে জ্ঞানযোগ একপ্ৰকাৰ অসম্ভৱ। লোকৰ অলপ আয়ুসৰ নিমিত্তে কৰ্ম্ম কৰোঁতে কৰোঁতে জীৱন যায়, কোনো কৰ্ম্ম অঙ্গপূৰ্ণ নহয়। হাজাৰ ভবা যায় নিষ্ক্ৰিয়ভাৱে কৰ্ম্ম কৰা গৈছে কিন্তু কামনা আহি পৰে। তেনে অৱস্থাত কৰ্ম্মই কেনেকৈ ভগৱান সিদ্ধিৰ বাবে সহায় কৰিব? বৰং তাৰ বিপৰীতে সংসাৰত আসক্তি হে বঢ়াই দিয়ে। সেইদেখি কলিত ভক্তিযোগ—নাৰদীয় ভক্তি, অৰ্থাৎ ভগৱানৰ নাম গুণ কীৰ্ত্তন। এয়ে সহজ পথ, এয়ে যুগধৰ্ম্ম। মাধৱদেৱে লিখিছে "হৰি গুণ কীৰ্ত্তন কলিৰ নিজ ধৰ্ম্ম। জানিবাহাঁ সমস্ত শাস্ত্ৰৰ তত্ব মৰ্ম্ম॥"

ৰবদোৱাত জগন্নাথ দেৱৰ প্ৰতিমা সজোৱাৰ উদ্দেশ্য চৰিত্ৰ পুথি মন দি পঢ়িলেই বোধকৰো বুজা যায়। সেই সময়ৰ কিছু পূৰ্ব্বে ব্ৰাহ্মণবিলাকে শঙ্কৰৰ ভক্তসকলক যৎপৰোনাস্তি নিৰ্য্যাতন কৰাত শঙ্কৰেৰে সৈতে ব্ৰাহ্মণ পণ্ডিতবিলাকৰ খুব বাদ প্ৰতিবাদ চলিছিল। সেই বাদত ব্ৰাহ্মণবিলাক হে পৰাস্ত হৈছিল। কোবোৱা বাঢ়ৈৰ দ্বাৰাই প্ৰতিমা গঢ়াই প্ৰতিষ্ঠা কাৰ্য্যৰ নিমিত্তে ব্ৰাহ্মণসকলক নিমন্ত্ৰণ কৰাত প্ৰথমতে তেওঁলোকে নিমন্ত্ৰণ গ্ৰহণ নকৰিবলৈ আলচ পাতিছিল। কিন্তু চৰিত্ৰত লিখিছে যে সোণ ৰূপ আদি দান দক্ষিণাৰ বিশেষ আয়োজনৰ ভু পাই ব্ৰাহ্মণসকল আহিল। প্ৰতিষ্ঠা কাৰ্য্য আৰু দান দক্ষিণাদি দিয়া সমাধা হলত ব্ৰাহ্মণবিলাকক ৰাখি' শঙ্কৰে সেই প্ৰতিমা পূজা কৰা সম্বন্ধে বিচাৰ আৰম্ভ কৰিলে। আলোচনাৰ পাছত এয়ে স্থিৰ হল আৰু পণ্ডিতবিলাকেও স্বীকাৰ কৰিবলৈ বাধ্য হল যে—

"যতেক মৃত্তিকাময় যত শিলাময়।
যত জলময় ইটো দেব তীৰ্থ হয়॥
কিন্তু শুদ্ধি কৰে চিৰকাল সেৱি যেবে।
দৰশন মাত্ৰে শুদ্ধ কৰে সাধু সবে॥
দেৱতা তীৰ্থতো হন্তে শুদ্ধ হোৱে নৰ।
সাধুৰবে দেৱে তীৰ্থে অনেক [illegible]॥"

ইয়াৰ চুম্বক মৰ্ম্ম এয়ে যে ব্ৰাহ্মণবিলাকে যিসকল হৰিসেৱাৰত শুদ্ধচিত্ত সাধুক নিৰৰ্থক লাঞ্ছনা কৰিবলৈ কুণ্ঠিত নহৈছিল তেনে সাধু নৰ মাটি বা শিলৰ প্ৰতিমাতকৈও শ্ৰেষ্ঠ। শঙ্কৰে হৰি ভক্ত ব্ৰাহ্মণ-বিলাকক এই শিক্ষা দিবৰ নিমিত্তে হে ৺জগন্নাথৰ প্ৰতিমা প্ৰতিষ্ঠা কৰাইছিল, এনে বুজা যায়, পৌত্তলিকতা প্ৰচাৰ কৰিবৰ অৰ্থে নহয়। বৰদোৱাৰ বাহিৰে গাজমৌ ক্ষেত্ৰি, বৰপেটা, পাট-বাউসী প্ৰভৃতি ঠাইত তেনে কোনো প্ৰতিমা স্থাপন কৰোৱা চৰিত্ৰৰ পৰা পোৱা নেযায়। সদীয়াৰ পৰা গুৱালপাৰালৈকে আসামৰ গাঁৱে গাঁৱে নামঘৰ, কীৰ্ত্তন-ঘৰবিলাক আছে, সেইবিলাকত থাপনা আছে, শৰাবন্তি আছে, কিন্তু কোনো মূৰ্ত্তি বা প্ৰতিমা নেথাকে। পৌত্তলিকতা বুলিলে প্ৰতিমাত পূজা বুজায়, অথচ পূজা সেৱা প্ৰভৃতি কৰ্ম্মযোগৰ অন্তৰ্গত। শঙ্কৰ-মাধৱ দুয়োজনে পাৰ্থ্যমানে বৰ্ত্তমান যুগত এই কৰ্ম্মযোগৰে অসাৰতা দেখাই ভক্তিযোগৰ প্ৰাধান্য দেখাইছে, তেনে স্থলত এওঁলোকে পৌত্তলিকতা শিক্ষা দিছিল বুলি কোৱা যে নিতান্ত ভুল তাৰ কোনো সন্দেহ নাই। ঘোষাত আছে, "জ্ঞান কৰ্ম্ম বিনে, কেৱলে ভক্তিতে, পাৱয় সংসাৰ পাৰ। কেৱল ভকতি পুৰুষক তাৰে, সহায় কাকো নচাৰে। জ্ঞান কৰ্ম্ম ভাৰে, তাৰিতে নাপাৰে, ভকতি নপাৰে যাৰে॥"

শঙ্কৰৰ প্ৰদৰ্শিত ধৰ্ম্মই সনাতন ধৰ্ম্ম। আজি-কালি ভাৰতবৰ্ষময় সনাতন ধৰ্ম্মৰ বোল উঠিছে। এই ধৰ্ম্ম শিক্ষাৰ্থে হিন্দু বিশ্ববিদ্যালয় স্থাপন কৰাৰ কাৰণে দেশৰ চিন্তাশীল লোকবিলাকে যত্ন কৰিব লাগিছে আৰু সেই যত্ন যে সোনকালে ফলদায়ক হব তাৰ সন্দেহ নাই। সেয়ে হলে এই ধৰ্ম ভাৰতীয় হিন্দুবিলাকৰ একমাত্ৰ ধৰ্ম্ম হব। তেতিয়া নানা পন্থা নানা আচাৰ গুচি ভাৰতবৰ্ষত আকৌ বিশুদ্ধ বৈদিক ধৰ্ম্ম বিস্তাৰ হব। জগদীশ্বৰৰ কৃপাত যেন সেই শুভদিন শীঘ্ৰে হয় এই প্ৰাৰ্থনা।

শঙ্কৰদেৱে অৱতাৰ মানিছিল, তেওঁ লীলা-বিগ্ৰহধাৰী শ্ৰীকৃষ্ণৰ উপাসনা শিক্ষা দিছিল, সেইকে তেওঁ বহু-ঈশ্বৰবাদী, আৰু পৌত্তলিক আছিল, এনে মন্তব্য প্ৰকাশ কৰা নিতান্ত ভুল। প্ৰকৃত সনাতন হিন্দুধৰ্ম্মৰ মূলত একেশ্বৰবাদ। এই ধৰ্ম্মত জড়োপা-সনা নাই। দুৰ্ভাগ্যবশতঃ ইউৰোপীয়বিলাকৰ মত অনুসৰি আমাৰ দেশীয় কোনো কোনো শিক্ষিত লোকে হিন্দুবিলাকক বহু-ঈশ্বৰবাদী জড়োপাসক বা পৌত্তলিক বুলি নিন্দা কৰে। হিন্দুবিলাকে জানে যে সমুদায় জড় পদাৰ্থতে এক অনাদি অনন্ত পৰমেশ্বৰ অন্তৰ্য্যামী হৈ আছে, সেই অন্তৰ্য্যামী পুৰুষকহে উপাসনা কৰা হয়, জড় পদাৰ্থ অৱলম্বন মাত্ৰ। যেনে প্ৰকাৰেই হওক ঈশ্বৰত চিত্ত সমাধান কৰিব পাৰিলেই তেওঁৰ উপাসনা কৰা হয়। সেই নিমিত্তে প্ৰতিমোপাসনাও প্ৰকৃত নিৰাকাৰৰ হে উপাসনা। নিৰাকাৰৰ ধাৰণা বা সাক্ষাৎ উপাসনা নহয় বাবে এনে উপায় অৱলম্বন কৰা হয়। ক্ষুদ্ৰমতি ল'ৰাই বিস্তীৰ্ণ ভূমণ্ডলৰ বিষয় ধাৰণা কৰিব নোৱাৰে, সেই বাবে globe বা গোলকৰ সাহায্যত শিক্ষকে বুজাই দিয়ে। সাকাৰ উপাসনা নিন্দা কৰি যিসকলে নিৰ্গুণ নিৰাকাৰৰ উপাসনা কৰে তেওঁলোকেই দয়াময়, মঙ্গলময়, সৰ্ব্বশক্তিমান, ন্যায়বান, প্ৰভৃতি বিশেষণ ব্ৰহ্মত প্ৰয়োগ কৰে। তেওঁলোকেও প্ৰাৰ্থনাৰ সময়ত নিৰাকাৰ ব্ৰহ্মৰ চৰণ-কমল, সিংহাসন, শান্তিময় ক্ৰোড় প্ৰভৃতিৰ উল্লেখ কৰে। ই তেওঁলোকৰ দোষ বুলিব নোৱাৰি, কাৰণ নিৰাকাৰ আৰু নিৰ্গুণৰ ধ্যান সাধাৰণৰ পক্ষে অসম্ভৱ বাবেই তেওঁলোক অজ্ঞাতভাৱে সাকাৰৰ চিন্তা কৰিবলৈ বাধ্য হয়। লোকৰ অধিকাৰভেদে ভিন্ন ভিন্ন প্ৰকাৰ উপাসনাৰ সৃষ্টি, কিন্তু সকলোৰে লক্ষ্য এক পৰমব্ৰহ্ম সাধনা।

"মায়া হ্যেষা ময়া সৃষ্টা যন্মাং পশ্যসি নাৰদ।
সৰ্ব্বভূতগুণৈৰ্যুক্তং নৈবং মাং দ্ৰষ্টুমৰ্হসি॥"

হে নাৰদ, তুমি যে মোক দেখিছা ই মোৰ মায়াৰে ফলত, নহলে মই গুণাতীত, মোক নেদেখিলাহেঁতেন। লোকৰ উপকাৰৰ নিমিত্তেই ভগৱানে মায়িক শৰীৰ গ্ৰহণ কৰে, এই কথা গীতাত আছে। এই মায়িক শৰীৰেই তেওঁৰ লীলা। মাধৱদেৱে ঘোষাত লিখিছে যে কঠিন আত্মতত্ব লোকে সহজে বুজিবৰ নিমিত্তেই ভগৱানৰ লীলাৰ মূল কাৰণ।

"পৰম দুৰ্ব্বোধ আত্মতত্ব, তাৰ জ্ঞান অৰ্থে হৰি যত
লীলা অৱতাৰ ধৰা তুমি কৃপাময়।"

মায়িক শৰীৰ পৰিগ্ৰহ কৰিলে নিৰ্গুণ ঈশ্বৰ সগুণৰূপে অৱতীৰ্ণ হয়। সেই সগুণ ঈশ্বৰৰ প্ৰতি হে ভক্তিৰ উদ্ৰেক হয়, সেয়ে হলে হে আত্মতত্ত্ব জ্ঞান হব পাৰে। কেৱল শাস্ত্ৰ অধ্যয়ন, অনুশীলন বা চিন্তাৰ দ্বাৰাই যে তত্বজ্ঞান হব পাৰে এনে বিশ্বাস একেবাৰে ভুল। ৰাশি ৰাশি শাস্ত্ৰ পঢ়িলেও প্ৰকৃত জ্ঞানী হব নোৱাৰি। শাস্ত্ৰজ্ঞান পাণ্ডিত্য নহয়, ব্ৰহ্মজ্ঞান হে পাণ্ডিত্য, বৃহদাৰণ্যক উপনিষদত এই কথা আছে। দৰাচলতে ভক্তি নহলে জ্ঞান আৰু জ্ঞান নহলে মুক্তি নহয়, এই কথা শঙ্কৰাচাৰ্য্য আদি কৰি জ্ঞান মাৰ্গৰ আচাৰ্য্যবিলাকেও স্বীকাৰ কৰে। "ভক্ত্যা মামভিজানাতি যাবান্ যশ্চাস্মি তত্বতঃ।" বৈষ্ণৱ প্ৰধান পূজ্যপাদ শ্ৰীধৰ স্বামীয়ে কয় যে ভক্তিয়েই মুক্তিৰ কাৰণ; জ্ঞান ভক্তিৰ ফল মাথোন। শঙ্কৰাচাৰ্য্য প্ৰভৃতিয়ে কিন্তু জ্ঞানকে হে মুক্তিৰ মুখ্য হেতু বুলি ধৰে। এই মাত্ৰ প্ৰভেদ। অপাৰকৰ পক্ষে হে ভক্তিমাৰ্গ শ্ৰেয়ঃ এনে সিদ্ধান্ত ভুল তাৰ কোনো সন্দেহ নাই। ভক্তি থাকিলেহে

উপনিষদ জ্ঞানৰ আৱিৰ্ভাৱ হয়। কেৱল বুদ্ধিৰ পৰিচালনা কৰি কি ব্ৰহ্মলাভ কৰিব পাৰি ? ১*

এতেকে দেখা গল যে মাধৱদেৱে লিখামতে লোকৰ তত্ত্বজ্ঞানৰ সাহায্যাৰ্থেই বাস্তৱিক ভগৱানৰ লীলা। এই লীলা অৱতাৰধাৰী ভগৱানৰ প্ৰতি-একান্ত নিষ্ঠা ভক্তিকেই শঙ্কৰ মাধৱ দুয়ো শিকাইছিল। সেই কাৰণে তেওঁলোকৰ কাকো বহু-ঈশ্বৰবাদী বুলি সিদ্ধান্ত কৰা নিতান্ত ভুল। উপনিষদৰ পৰা একেশ্বৰবাদ ৰাজা ৰামমোহন ৰায়েও বুজাইছিল। "সদেৱ সোম্যেদমগ্ৰ আসিদেকমেৱাদ্বিতীয়ম্" (ছান্দোগ্য)। এই উদ্ধৃত অংশৰ অৰ্থ একেশ্বৰবাদেই নহয় ; ইয়াৰ বৈদান্তিক অৰ্থ বহুত গভীৰ। কেৱল যে পৰমেশ্বৰ এক এনে নহয় ; এক ব্ৰহ্মৰ বাহিৰে সৎ আৰু একো নাই। ব্ৰহ্মই এক সৎ আৰু অদ্বিতীয়। ব্ৰহ্ম আৰু জীৱাত্মা এক, জগৎ মিথ্যা। ব্ৰহ্মবিদ্যা আৰু আত্মতত্ত্ব জ্ঞান একে ; সেয়েহে মুক্তিৰ কাৰণ ; কৰ্ম্ম কোনো কালে মুক্তিৰ কাৰণ নহয়। যি কাৰণে আত্মা আৰু ব্ৰহ্মৰ একত্ব বুজা নাযায় সেয়ে মায়া বা অবিদ্যা ; তাৰে নিমিত্তে অসৎ জগতকো সৎ যেন বোধ হয়। বিদ্যালাভ হলে অৰ্থাৎ অবিদ্যা নাশ হলে বুজা যাব যে এক ব্ৰহ্মই সত্য, আন সকলো মিথ্যা আৰু জীৱাত্মা আৰু ব্ৰহ্ম অভেদ। এজন পণ্ডিতে লিখি গৈছে :—

"শ্লোকাৰ্দ্ধেন প্ৰৱক্ষ্যামি যদুক্তং গ্ৰন্থ কোটিভিঃ।
ব্ৰহ্ম সত্যং জগন্মিথ্যা জীৱো ব্ৰহ্মৈৱ কেৱলম্ ॥"

কোটি গ্ৰন্থৰ দ্বাৰাই যি বুজোৱা হৈছে তাক মই অৰ্দ্ধ শ্লোকৰ দ্বাৰাই কওঁ ; অৰ্থাৎ ব্ৰহ্ম সত্য জগৎ মিথ্যা। জীৱাত্মা আৰু ব্ৰহ্ম এক। গীতাত "অহমাত্মা গুড়াকেশ সৰ্ব্ব ভূতাশয়স্থিত।" উপনিষদবিলাকতো এই কথাকে বিশেষৰূপে বুজোৱা হৈছে। বাস্তৱিক এই monistic principle যে অধিক ভাগ উপনিষদৰ তাৎপৰ্য্য তাক সন্দেহ কৰাৰ কাৰণ খুব কমেই দেখা যায়। ভগৱান শঙ্কৰাচাৰ্য্যই এই কথা স্পষ্টভাৱে কৈ গৈছে। ছান্দোগ্য উপনিষদত আৰুণিয়ে শ্বেতকেতুক উপদেশ দিছে "ঐতদাত্মমিদং সৰ্ব্ব তৎ সত্যং স আত্মা তত্ত্বমসি শ্বেতকেতো।" ইয়াতো সেই এক কথাকে কৈছে। "তত্ত্বমসি" অৰ্থাৎ "তুমি সেই আছা," ইয়াৰ দ্বাৰাই জীৱাত্মা পৰমাত্মা এক ইয়াকে বুজোৱা হৈছে। এয়ে অদ্বৈতবাদ।

বৈষ্ণৱ আচাৰ্য্যবিলাকৰো অদ্বৈতবাদ, কিন্তু সেয়ে বিশিষ্ট প্ৰকাৰৰ ; সেইদেখি এওঁলোকক বিশিষ্টাদ্বৈতবাদী বোলা হয়। ব্ৰহ্ম অনাদি অনন্ত, সৰ্ব্বজ্ঞ, সৰ্ব্বশক্তিৰ মূলাধাৰ। সূৰ্য্যৰ এক ৰশ্মিৰ নিচিনা জীৱাত্মাবিলাক ব্ৰহ্মৰ অংশ, কিন্তু সূৰ্য্য যেনেকৈ ৰশ্মিতকৈ অধিক সেই প্ৰকাৰ ব্ৰহ্ম জীৱাত্মাতকৈ অধিক। জীৱাত্মাসকল ব্ৰহ্মৰ দাস। ২*

এই ভাৱৰ নিমিত্তেই বৈষ্ণৱ সম্প্ৰদায়ৰ আধাৰ ভক্তিমাৰ্গ আৰু নিৰ্গুণ ব্ৰহ্মৰ সগুণ ভাৱে আৰাধনা। জ্ঞান নহলে মুক্তি নহয়, অথচ ভক্তি নহলে জ্ঞান নহয়। সেই কাৰণেই গীতাত ভগৱানে সগুণোপাসকক শ্ৰেষ্ঠ বুলিছে। গীতা উপনিষদৰ সাৰ। "সৰ্ব্বোপনিষদো গাৱো" আৰু "দুগ্ধং গীতামৃতং মহৎ।" প্ৰকৃততে ভক্তিয়েই যে মুক্তিৰ কাৰণ আৰু সেই নিমিত্তে সগুণোপাসনা সকলোতকৈ প্ৰশস্ত

১* "It is through the heart that the Lord is seen and not through the intellect. The intellect is only the street cleaner cleansing the path for us, a secondary worker, the Policeman ; * * * * *
It is feeling that works, that moves with speed infinitely superior to that of electricity or anything else."
—Vivekananda.

ভগৱানে নিজে কৈছে :—

"তেষাং সতত যুক্তানাং ভজতাং প্ৰীতি পূৰ্ব্বকম্ ॥
দদামি বুদ্ধি যোগং তং যেন মামুপযান্তি তে ॥"
"ভগৱন্ত ভক্তিমুক্ত, পুৰুষৰ আত্মবোধ, শঙ্কৰৰ প্ৰসাদে মিলয়।
কৃষ্ণৰ কৃপাত তেবে তৰে সংসাৰ ভয়, এহি মাসে গীতাৰ নিৰ্ণয় ॥"—নাম ঘোষা।

২* "তোমাৰেসে অংশ আমি যত জীৱ জাক।
তোমাৰ মায়াতে প্ৰভু পাহৰিলো আপোনাক ॥"
"তুমি সত্য ব্ৰহ্ম, তোমাতে প্ৰকাশে, জগত ইটো অনন্ত।
জগতত সদা তুমিত প্ৰকাশ, অন্তৰ্যামী ভগৱন্ত ॥"
"তুমি আত্মা যেন জানিবা তোমাক, চিত্ত ভৱে নিত্যাৰম্ভ।
তুমিহে পূৰ্ণ দাতা, দিবা ভোগত, নাই তাৰ প্ৰয়োজন ॥"
"অনন্ত ব্ৰহ্মাণ্ড, তোমাত উদ্ভৱ হৈল, সত যেন প্ৰকাশে সদায়।
কৰ্মজড় মনুষ্য, মন মধু হৈল তাতে, যেনৰ মুখে অভিপ্ৰায় ॥
তোমাৰ অদ্বৈত ৰূপ, পৰম আনন্দ পদ, তাতে মোৰ মধু হোক চিত্ত।
তোমাৰো দাসৰো দাস, আমি আছে সততে আমাক সেৱিব কদাচিত ॥"
—কীৰ্ত্তন।

এই কথা উপনিষদ সন্মত। বৈষ্ণৱ সমাজত গীতাৰ শাঙ্কৰ ভাষ্যতকৈ শ্ৰীধৰ স্বামীৰ টীকা বেছি আদৰণীয়।

দেখা যায় যে দুই শ্ৰেণীৰ লোকে সগুণোপাসনা নকৰে। ইয়াৰ এক শ্ৰেণী হৈছে মনুষ্য আকাৰে পশুবিলাক যাৰ কোনো ধৰ্ম্মজীৱন নাই। আন শ্ৰেণী হৈছে যিবিলাক জীৱন্মুক্ত পৰমহংস অৰ্থাৎ যিসকলে তত্ত্বজ্ঞান লাভ কৰি আত্মাত ঈশ্বৰক উপলব্ধি কৰিছে। যি ব্ৰহ্মলাভ কৰিছে তেওঁৰ আৰু কিহৰ নিমিত্তে চেষ্টাৰ আৱশ্যক? কিন্তু নাৰদাদি জীৱন্মুক্ত পুৰুষে মুক্তিকো ঠেলি পেলাই সগুণোপাসকৰ ভক্তিকে শ্ৰেষ্ঠ বুলি মানিছিল। এই বাবেহে এওঁলোকক "মুক্তিত নিস্পৃহ" বোলা হয়। মুক্তিৰ নিমিত্তে ভক্তিকো তেওঁলোকে সকাম ভক্তি যেন বিবেচনা কৰিছিল। "মুমুক্ষু ভকতজনত কৰিও কেৱল ভক্ত গৰিষ্ঠ।" "মই নিজে অমৃত হোৱাতকৈ সদাই অমৃত আস্বাদন কৰি থাকিম" এওঁলোকৰ এই ভাব আছিল। মিঠাই লোকে খাবলৈ বিচাৰে, কোনোৱে মিঠাই নিজে হবলৈ ইচ্ছা নকৰে। এই নিমিত্তেই প্ৰকৃত ভক্তসকলে জ্ঞানমাৰ্গৰ সোহহং ভাৱ ভাল নেপায়, তেওঁলোকে জ্ঞানকো তুচ্ছ যেন দেখে। (৩)

পূৰ্বেই কোৱা হৈছে যে বৈষ্ণৱ আচাৰ্য্যবিলাক ঠিক অদ্বৈতবাদী নহলেও শঙ্কৰাচাৰ্য্যৰ মত তেওঁলোকে ঠেলিব পৰা নাই। মুৱঙ্গীৰ আদিৰ পৰা জগতত ভগৱান শঙ্কৰাচাৰ্য্যৰ নিচিনা আধ্যাত্মিক বিষয়ে deep and bold thinker আৰু এজন বোধ কৰোঁ হোৱা নাই। ইউৰোপীয়ান পণ্ডিতসকলে তেওঁৰ গভীৰ গবেষণা দেখি স্তম্ভিত হৈছে। তেওঁৰ শাৰিৰক ভাষ্য ভাৰতবৰ্ষৰ সকলো ঠাইতে শীৰ্ষস্থানীয় বুলি বিবেচনা কৰা হয়। তেওঁৰ মায়াবাদ উল্লেখ কৰি কোনো কোনো কৰ্ম্মমাৰ্গৰ আচাৰ্য্যই তেওঁৰ মত শূন্যবাদী বৌদ্ধমতৰ নামান্তৰ মাত্ৰ বা প্ৰচ্ছন্ন বৌদ্ধবাদ বুলি নিন্দা বা উপহাস কৰিছে। কিন্তু কি শৈৱাচাৰ্য্য, কি বৈষ্ণৱাচাৰ্য্য সকলোৱেই প্ৰকাৰান্তৰে তেওঁৰ মত অৱলম্বন নকৰাকৈ থকা নাই। সেই বাবেই শঙ্কৰ মাধৱ দুয়োৰো লেখাতে অদ্বৈতবাদ, মায়াবাদ প্ৰভৃতিৰ বিস্তৰ প্ৰমাণ পোৱা যায়। (৪)

যি হওক জগৎ অনিত্য হলেও আকাশ-কুসুম বা শশ-শৃঙ্গৰ নিচিনা অলীক নহয়। এই কথা মায়াবাদীয়েও কয়। জগৎ আছে হয় কিন্তু "মন্দান্ধকাৰে ৰজ্জুঃ সৰ্প ইৱ" অৰ্থাৎ কম পোহৰত দূৰৰ পৰা লেঙুকে যেনেকৈ সাপ যেন দেখা যায় সেই প্ৰকাৰ মায়াৰ গুণত জগতকো নিত্য যেন বোধ হয়। এক মাত্ৰ সৎ ভগৱান, কিন্তু জগৎ তেওঁৰ সৃষ্টি, গতিকে জগতক একেবাৰে তুচ্ছ জ্ঞান কৰা ঠিক নহয়। এই ভাবহে সংসাৰীৰ উপযুক্ত আৰু পাশ্চাত্য ধৰ্ম্মভাৱৰ লগত এই ভাব অলপ মিলে। অন্নময়কোষ অৰ্থাৎ দেহৰ ধ্বংসৰ লগে লগে স্থূল জগতৰ সম্বন্ধ ৰহিত হয়, সেই বাবেই জগৎ অনিত্য; কিন্তু নিত্য আত্মাৰ লগত নিত্য পৰমাত্মাৰ সম্বন্ধ অবিচ্ছিন্ন আৰু চিৰস্থায়ী, নিত্য বস্তুহে সাৰ ধন। তথাপি যিমান দিন দেহ থাকে সিমান দিন জগৎ সত্য যেন হে বোধ হয়; আৰু শুদ্ধচিত্ত হৈ থাকিব পাৰিলে এনেভাবে আত্মা পৰমাত্মাৰ নিকট আৰু চিৰস্থায়ী সম্বন্ধ কেতিয়াও পাহৰাব নোৱাৰে। ভক্তিতেই চিত্তশুদ্ধি হয়। পাৰ্থিব জীৱন একেবাৰে মূল্যহীন নুবুলি বৈষ্ণৱ গুৰুসকলে পৃথিৱীত নৰতনু লাভ যে কি সৌভাগ্যৰ কথা তাক বাৰ বাৰ কৈছে। নৰজীৱনৰূপ সুবিধা পাই জীৱই অকল ভক্তি আশ্ৰয় কৰি মুক্তি লাভ কৰিব পাৰে, শঙ্কৰে কীৰ্ত্তনৰ প্ৰায় প্ৰত্যেক অধ্যায়ৰ শেষত এই কথা লোকক বুজাবৰ চেষ্টা কৰিছে।

এই ভক্তি কেৱল একনিষ্ঠ অব্যভিচাৰী হব লাগে, নহলে ব্ৰহ্মলাভ নহয়। গীতাত ভগৱানে কৈছে, "মাঞ্চ যোহব্যভিচাৰেণ ভক্তিযোগেন সেৱতে। স গুণান সমতীত্যৈতান্ ব্ৰহ্মভূয়ায় কল্পতে॥ "সৰ্ব্ব

(৩) "নাৰদ সনত কুমাৰ সনন্দ, শুকমুনি আদি কৰি।
মুকুতি সুখক ঠেলি বাম নাম সদায় মুখে সুমৰি॥"
"ভকতজনৰ হৰিনামেসে সৰ্ব্বস্ব।
মুকুতিকো ঠেলি আগ যোৱে হৰিৰস॥"—নাম ঘোষা।

"ভকতিৰ মহিমা দেখিও অদভুত।
ভৈল কৃতকৃত্য যিটো জীৱন্তে মুকুত॥
তথাপিতো প্ৰাৰ্থনা কৰয় ভকতিক।
জানিয়া আনন্দ অতি মোক্ষতো অধিক॥"—ভক্তি ৰত্নাৱলী।

"He (the Bhakta), soon, through the mercy of the Lord, reaches a plane where pedantic and powerless reason is left far behind and the mere intelletual groping through the dark gives place to the day-light of direct perception. He no morc reasons and belives, he almost perceives. He no more argues, he senses. And is not this seeing God, and feeling God and enjoying God, higher than every-thing else? Nay bhaktas have not been wanting who have maintained that it is higher than even Moksha—liberation."
—Vivekananda

(৪) "যাৰা ঈশ্বৰক মাগে, প্ৰত্যক্ষে সততে পায়, নাপায় জানা তাক অবিদ্যাত। অবিদ্যা নাশনে মাগে, হৃদয়ক পাৱৰ যেন, কণ্ঠলগ্ন ৰত্নক পাৱাত।"

"মায়া আদি কৰি যত, সমস্ত জগত জড়, কৃষ্ণক চৈতন্য আত্মা জান।"
"মায়াবেগে আত্মা বিষ, মায়াবেগে ইষ্ট-জন, মায়াবেগে দেৱতা পৰম।"

"মুমুক্ষুজনৰ বেদে, অবিদ্যাজনিত দুখে, বিৰক্তি হৈল অতিশয়। কেৱল আত্মাত মাত্ৰ, সদায়ে ৰমণ কৰে, তেৱে বিধি কিঙ্কৰ হয়।"—নাম ঘোষা।

ধৰ্ম্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।" নাম ঘোষাত লিখিছে :—

"মোত মাত্ৰ সদা মন, মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ,
মোক পূজা মাত্ৰ মোকে কৰাঁ নমস্কাৰ।
কহিলো তোমাত সত্য বাণী পাইবা মোক সুখে মহামানি
তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ॥"
"কৃষ্ণ নিগদিত সব্যসাচি, পৰমাৰ্থ তত্ত্ব লৰো বাছি,
সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আমাত।
মোতে মাত্ৰ সদা দিয়া চিত্ত গায়ো মোৰ গুণ-নাম গীত
সকল শাস্ত্ৰৰ কহিলোঁ সাৰ সাক্ষাত॥"

এইদেখি শঙ্কৰ মাধৱে প্ৰচাৰ কৰা ধৰ্ম্মক "একশৰণ" ধৰ্ম্ম বোলা হয়, অৰ্থাৎ পৰমেশ্বৰৰ প্ৰতি নিষ্কাম, একনিষ্ঠ, সুদৃঢ় ভক্তিয়েই এই ধৰ্ম্মৰ মূল কথা। ভগৱানৰ প্ৰসাদত যি মহাপুৰুষৰ এই প্ৰকাৰ একান্ত ভক্তি হৃদয়ত জন্মে তেওঁ মোক্ষপদকো আশা নকৰি কেৱল ভক্তিতেই মজি থাকে।

এইবাবেই মহাপুৰুষীয়া সম্প্ৰদায়ৰ মাজত অন্য দেৱ দেৱীৰ পূজা নিষিদ্ধ। "এক দেৱ এক সেৱ, এক বিনে নাহি কেৱ।" "অন্য দেৱী দেৱ, নকৰিবা সেৱ, গৃহকো নাযাইবা, প্ৰসাদ নাখাইবা, ভক্তি হৈব ব্যভিচাৰ।" অন্য দেৱী পূজা কৰিলে ভক্তি ব্যভিচাৰী হয়। দামোদৰদেৱেও এই ধৰ্ম্মকেহে শিক্ষা দিছিল। কালক্ৰমত এই শিক্ষা লৰচৰ হয়। বৰ্ত্তমান সময়ত কোনো কোনো দামোদৰী পন্থৰ বৈষ্ণৱ আচাৰ্য্যই শিষ্যক শাক্ত মন্ত্ৰ দিয়াও শুনা যায় আৰু তেনে শিষ্যই প্ৰকাশ্যে তান্ত্ৰিক নিয়মে দেৱীৰ পূজা কৰাও দেখা যায়।

একমেবাদ্বিতীয়ম্ পৰমেশ্বৰৰ প্ৰতি একনিষ্ঠ অব্যভিচাৰী ভক্তি যে শঙ্কৰ মাধৱৰ ধৰ্ম্মৰ মূল ভিত্তি আছিল এই কথা বাৰে বাৰে উল্লেখ কৰা হৈছে। এই বাবে গুৰু দুজনাই আন দেৱ দেৱীৰ পূজা একেবাৰে মানা কৰিছিল আৰু যিবিলাক শিষ্যই এই নিষেধ নামানিছিল সিইঁতক একেবাৰে পৰিত্যাগ কৰিছিল। ইয়াৰ ভাল উদাহৰণ ব্যাস-কলাই বাপু। এইজন ব্ৰাহ্মণ শিষ্য আদিৰ পৰা শঙ্কৰৰ পৰম ভক্ত আছিল। বৰদোৱাত ব্ৰাহ্মণ-বিলাকে শঙ্কৰৰ প্ৰতি অত্যন্ত দ্বেষভাৱ আচৰণ কৰাৰ সময়ত ব্যাসকলাই আৰু এওঁ দুয়ো দৃঢ় ভাৱে শঙ্কৰৰ পক্ষ অৱলম্বন কৰি আছিল। ভটীয়াই কামৰূপ দেশলৈ আহোঁতে এওঁ গুৰুৰ লগ নেৰি গুৰুৰ লগতে ভটীয়াই আহিছিল। আহোঁতে বাটতে এওঁৰ এটি পুত্ৰৰ "বৰ বহু" অৰ্থাৎ বসন্তৰোগত মৃত্যু হয়। পাছত বৰপেটাত থাকোতে এওঁৰ দ্বিতীয় পুত্ৰবো সেই ৰোগ উপস্থিত হোৱাত ব্ৰাহ্মণে পুত্ৰৰ মাৰাত গুৰুৰ নিষেধ সত্ত্বেও শঙ্কৰে নজনাকৈ মনে মনে গুচৰৰ চপৰা গাৱঁলৈ গৈ তাতে শীতলাৰ পূজা কৰিছিল। শঙ্কৰে এই কথা ভু পাই ব্যাসকলাই বাপুৰ মুখ নেচাওঁ বুলি তেনেজন হিতকাৰী শিষ্যকো পৰিত্যাগ কৰিলে। শেহত হাজাৰ অনুনয় বিনয় কৰা সত্ত্বেও শঙ্কৰে তেওঁক ক্ষমা নকৰিলে। ব্যাস-কলাই বাপুৱে শেষত শ্ৰীক্ষেত্ৰলৈ গৈ সাগৰত পৰি প্ৰাণ ত্যাগ কৰিলে। ব্যাসকলাই বাপুৰ প্ৰতি এনে আচৰণ কৰি যে শঙ্কৰে নিজে মৰ্ম্মান্তিক বেদনা পাইছিল তাৰ কোনো সন্দেহ নাই; কিন্তু তেওঁ নিজে যি ধৰ্ম্মনীতি প্ৰচাৰ কৰিছিল সেই নীতিৰ বিৰুদ্ধে কাৰ্য্য কৰা লোকক তেওঁ প্ৰশ্ৰয় দিলে যে ফল অতি বিষম হ'লহেঁতেন এই কথা তেওঁ ভালকৈ বুজিছিল।

একমাত্ৰ ঈশ্বৰ চৈতন্য, আন দেৱ দেৱী সমস্ত জড়। (১) এতেকে জড়ৰ উপাসনা কৰা কৰ্ত্তব্য নহয়। "চৈতন্য কৃষ্ণক এৰি, জড়ক ভজিয়া মৰে, বিনো লোক অধম মুগুধ।" একমেবাদ্বিতীয়ম্ ঈশ্বৰৰ আগত অন্য দেৱ দেৱী তুচ্ছ। (২)

ঘোষাত আছে :—"হৰিৰ গৃহৰ দ্বাৰে, বেত্ৰৰ প্ৰহাৰ যোগ্য, ব্ৰহ্মা ইন্দ্ৰ আদি দেৱ জাক।" শ্ৰীক্ষেত্ৰ আদি তীৰ্থত যাত্ৰীৰ ইমান বেছি সমাগম হয় যে পাণ্ডাবিলাকে বেতেৰে কোবাই আগলৈ হেচি যোৱা মানুহক আঁতৰত ৰাখিব লাগে। মাধৱদেৱে নিজে শ্ৰীক্ষেত্ৰলৈ গৈছিল আৰু তেওঁ তাতে এনে দুৰৱস্থা দেখি এই উপমা দিয়া যেন বোধহয়। যি হওক এই উপমাৰ দ্বাৰাই একমাত্ৰ চৈতন্য ঈশ্বৰ

---

(১) "হৰি সে চৈতন্য, আত্মা জ্ঞানময়, আৰৱ সমস্তে জড়।
বেদ বেদান্তৰ, সমস্ত শাস্ত্ৰৰ, এহিসে বিচাৰ বড়॥"
"হৰিমাত্ৰ সত্য, চৈতন্য ঈশ্বৰ, পৰম তত্ত্ব নিৰ্ণয়।"
"হে কৃষ্ণ তুমি মাত্ৰ, চৈতন্য স্বৰূপ নিত্য, সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৱ যতেক ইটো তোমাৰ বিনোদ ৰূপ, চৰাচৰ মায়াৰ কল্পিত॥"
"পৰম পুৰুষ ভগৱন্ত নাহি পূৰ্ব্বাপৰ আদি অন্ত
তুমি সে চৈতন্য সমস্ত তাৰ ভাৰন্তা" —ঘোষা।
"জানিলোঁ সাক্ষাতে তুমি পুৰুষ পুৰাণ।
নিৰঞ্জন আনন্দ স্বৰূপ সৰ্ব্বজ্ঞান॥
তুমিসে কেৱল সঁচা সবে মায়াময়।
তোমাতেসে হন্তে সৃষ্টি হোৱে স্থিতি লয়॥" —নাম ঘোষা।

আৰু অন্য দেৱ দেৱীৰ ভিতৰত কেনে পাৰ্থক্য তাক ভালকৈ বুজা যায়।

কোচ ৰজাৰ প্ৰধান বিষয়া বিৰু কাৰ্য্যীৰ সভাত মাধৱদেৱে এদিন পৰমেশ্বৰত বাজে আন দেৱতা তুচ্ছ বুলি প্ৰকাশ কৰাত বিৰুৱে মাধৱক নখে ভিৰকাৰ কৰিছিল আৰু সভাৰ ব্ৰাহ্মণসকলে মাধৱক নানা উপহাস কৰিছিল। মাধৱে তেতিয়া ভগৱানৰ মোহিনী লীলা উল্লেখ কৰি দেখুৱালে যে ভগৱানৰ মায়াই আন দেৱতা নেলাগে যাক দেৱাদিদেৱ মহাদেৱ ঘোলা হয় তেওঁকো মুহিছিল। জড়কহে মায়াই মোহিত কৰিব পাৰে, চৈতন্যৰ মোহ হব নোৱাৰে। মহাদেৱে অহংকাৰ কৰি কৈছিল—

"মহাযোগবলে শুদ্ধ কৰি আছো কায়া।
ব্ৰহ্মময় দেখো কি কৰিব পাৰে মায়া॥"

কিন্তু সেই অহঙ্কাৰ চূৰ্ণ হল। এতেকে এক অনন্ত ভগৱানেই নিত্য, শুদ্ধ, বুদ্ধ, আন সকলো মায়াৰ বশ, গতিকে জড়। ভগৱানৰ এই লীলাৰ পৰা এই কথা ভালকৈ বুজা যায়। আৰু এই উদ্দেশ্যেই "কীৰ্ত্তনতো" "হৰমোহন" অধ্যায় লিখা হৈছিল। বহুদিন হল, "জোনাকীত" এজন লিখকে অশ্লীল কুৰুচিপূৰ্ণ কথা থকা "হৰমোহন" অধ্যায়ে কীৰ্ত্তনত ঠাই পোৱা দেখি দুখ প্ৰকাশ কৰি লিখিছিল। সেইজন লিখকে এই অধ্যায়ৰ গূঢ় তাৎপৰ্য্য বুজা নাছিল এনে অনুমান হয়। এই অধ্যায়ত এটি এনে সুন্দৰ স্তুতি আছে যে সেইটি ইয়াত তুলি নিদি নোৱাৰিলো। স্তুতিটি এই :—

"নমো নমো মাধৱ বিধিৰ বিধি দাতা।
তুমি জগতৰ গতি মতি পিতা মাতা॥
তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক॥
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুবৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ॥
তুমি পশু পক্ষী সুৰাসুৰ তৰু তৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন ভিন॥
তোমাৰে সে মায়াৰে মোহিত সৰ্ব্বজনে।
তুমি আত্মা তোমাক নজানে একোজনে॥
সমস্ত ভূতৰে তুমি আছা হৃদয়ত।
তত্ত্ব নাপাই তোমাক বিচাৰে বাহিৰত॥
তুমি সে কেৱলে সত্য মিছা সবে আন।
জানি জ্ঞানীগণে কৰে হৃদয়ত ধ্যান॥
নামাগোহোঁ সুখ ভোগ নালাগে মুকুতি।
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি॥"

এই স্তুতিতে বেদান্তৰ তাৎপৰ্য্য সুন্দৰৰূপে পোৱা যায়।

একনিষ্ঠ ভক্তি সহকাৰে এক চৈতন্য ঈশ্বৰৰ আৰাধানাই ধৰ্ম্মৰ মূল কথা। এই আৰাধনাৰ উপায় পূজা, হোম, যজ্ঞ আদি নহয়, কেৱল ঈশ্বৰৰ নাম গুণ শ্ৰৱণ কীৰ্ত্তন। উত্তৰ হব পাৰে যে অকল হৰিনাম উচ্চৰণ কৰিলেই কি জীৱৰ উদ্ধাৰ হব পাৰে? কত লোকে খাওঁতে বহোঁতে শোওঁতে হৰিনাম লয় কিন্তু তেনে লোকৰো চৰিত্ৰ মলিন দেখা যায়, তেনে লোকৰো বহুত প্ৰকৃত ধাৰ্ম্মিক নহয়। কথিত আছে যে ৰূপ গোস্বামীয়েও এনে প্ৰকাৰ সন্দেহ কৰি এদিন শ্ৰীচৈতন্যক সুধিছিল যে কি ভাৱৰ নাম কীৰ্ত্তনৰ দ্বাৰাই ঈশ্বৰ ভজনা কৰিব লাগে? ইয়াৰ উত্তৰত চৈতন্য দেৱে এটি শ্লোক মাতিছিল। শ্লোকটি এই-

তৃণাদপি সুনীচেন তৰোৰিৱ সহিষ্ণুনা।
অমানিনা মানদেন কীৰ্ত্তনীয়ঃ সদা হৰিঃ॥

নিজক তৃণতকৈও হীন যেন ভাবি, তৰুৰ নিচিনা সহিষ্ণু হৈ নিজে মান নিবিচাৰি, পৰক মান দেখুৱাই, হৰি কীৰ্ত্তন কৰিব লাগে। ইয়াৰ অৰ্থ অলপ আলোচনা কৰি দেখা যাওক।

পৰমেশ্বৰক ভজনা কৰিব খুজিলে অহঙ্কাৰ দাম্ভিকতা আদি অন্তৰৰপৰা একেবাৰে যাব লাগে। নিজক তৃণতকৈও হীন যেন জ্ঞান কৰিব পাৰিলেহে পৰমেশ্বৰক ভজনা কৰিব পাৰি, অৰ্থাৎ বিনয় নহলে ভক্তি নহয় আৰু অন্তৰত ভক্তি নহলে অকল নাম উচ্চাৰণৰ

(২) "কৃষ্ণ একদেৱ দুঃখ হাৰী, কাল মায়াদিৰো অধিকাৰী,
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তাত বিনে আন নাহি কেৱ;
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ॥" —ঘোষা।
"দেৱৰ্ষি দেৱতা হৰি, ছাৰিয়া বঞ্চন কৰি,
লৈয়ো এক শৰণ কৃষ্ণত।
শোৱা গুণ নাম গীত, কৰিবা একান্ত চিত্ত,
তেবে ধাম পাইবা বৈকুণ্ঠত॥" —দশম স্কন্ধ।
"বুজিবা সমস্ত সবে কৰিবা নিশ্চয়।
কৃষ্ণ বিনা আন শ্ৰেষ্ঠ দেৱ নাহিকয়॥
কৃষ্ণসে জানিবা দেৱ আমা নিষ্ঠ কৰি।
লৈয়োক শৰণ সবে আন পৰিহৰি॥" —ভক্তি ৰত্নাকৰ।

দ্বাৰাই কি ফল প্ৰাপ্ত হ'ব। জগদীশ্বৰৰ ভৰিত বিনীত হৈ প্ৰাৰ্থনা কৰিব নোৱাৰিলে গুৰুকৃপা লাভ নহয়। যি অহঙ্কাৰী সি নিজৰ আৰাধনাকে নিষ্ফে কৰে; মই কেনে পণ্ডিত, কেনে বুদ্ধিমান কেনে ধাৰ্ম্মিক ইত্যাদি। তেনে মানুহে ভগৱানৰ আৰাধনা কেনেকৈ কৰিব? এতেকে দেখা গ'ল বিনয় আৱশ্যক। দ্বিতীয়তে আৱশ্যক সহিষ্ণুতা। বৃক্ষই সহিষ্ণুতাৰ সুন্দৰ শিক্ষা দিয়ে। বদ, বৰষুণ, ধুমুহা সকলোকে বৃক্ষই সহ্য কৰে কিন্তু জীৱৰ হিত সাধন বৃক্ষই সদাই কৰি আছে। চৰাইবিলাকক বৃক্ষই আশ্ৰয় দিয়ে, বদত দুখ পোৱা প্ৰাণীক বৃক্ষই ছায়া দিয়ে। যি মানুহে বৃক্ষৰ ডাল কাটি নিয়ে তাকো বৃক্ষই ছায়া নিদিয়াকৈ নাথাকে। বৃক্ষৰ কেনে সহিষ্ণুতা, ধৈৰ্য্য আৰু পৰোপকাৰিতা। বৃক্ষৰ একনিষ্ঠতাও অনুকৰণৰ যোগ্য। বৃক্ষই একে ঠাইতে শিপা মেলি তলৰে মাটি খামোচ মাৰি ধৰি অটল ভাৱে থাকে। ঈশ্বৰ সাধনাতো সেই প্ৰকাৰ একনিষ্ঠভাৱে এক পৰমেশ্বৰৰ পাদপদ্মত চিত্ত নিবিষ্ট কৰিব লাগে। বিষয়ৰ নানা জঞ্জালে চিত্ত অস্থিৰ কৰিলে ঈশ্বৰ ভজনা নহয়। সাধনাৰ আৱশ্যক। ধৈৰ্য্য সহিষ্ণুতা নহ'লে কোনো বিষয়ে সাধনা নহয়। ঈশ্বৰ সাধনাতো এই বিলাক গুণ নহ'লে কেনেকৈ হ'ব? অন্য সাধনাতকৈ তো ঈশ্বৰ সাধনা সহজ নহয়। শ্লোকটিত আৰো কৈছে "অমানিনা মানদেন" নিজে মান যশস্যাৰ বাবে হেঁপাহ নকৰিবা কিন্তু আনক সন্মান কৰিবা। যি সদায় মান যশ আদিৰ বাবে চিন্তা কৰি থাকে তাৰ ঈশ্বৰৰ প্ৰতি ভক্তি হোৱা অসম্ভৱ। লোকক দেখুৱাবলৈ বাহিৰে বিনীত ভাব আৰু দীনতা প্ৰকাশ কৰি অন্তৰত মান, যশ, ধন, পদগৌৰৱ আদিৰ নিমিত্তে চিন্তা কৰিলে ভয়ানক কপটতা হয়। তেনে কপট হৃদয়ত ভক্তিৰ বীজ কেতিয়াও অঙ্কুৰিত নহয়। এতেকে বাহিৰাকৈ নহয়, অন্তৰত দীন হ'বা আৰু এনে অৱস্থা হ'লেহে আন প্ৰাণীকো একে ব্ৰহ্মৰ অংশ বুলি বিবেচনা কৰি সেইমতে বাহ্যিক ভাৱে নহয়, অন্তৰেৰে সৈতে সন্মান কৰিব পাৰিবা। চৈতন্য দেৱৰ এই মহা উপদেশ বাস্তৱিক অমূল্য।

শঙ্কৰদেৱ মাধৱদেৱেৱো শিকনি এয়ে। সুদৃঢ় বিশ্বাস আৰু শ্ৰদ্ধাপূৰ্ব্বক এক প্ৰাণ হৈ হৰিনাম শ্ৰৱণ কীৰ্ত্তন কৰিব নোৱাৰিলে সিদ্ধি নহয়। এই ভাৱে নাম প্ৰসঙ্গ কৰিব পাৰিলে লাহে লাহে নামত ৰুচি, ক্ৰমে নামত আগ্ৰহ আৰু শেহত নামত আনন্দ জন্মিব আৰু তেতিয়া ঈশ্বৰ নিজেই হৃদয়ত প্ৰকাশিত হ'ব। লোকক দেখাই কেৱল "হৰি হৰি" বুলি কপটতা কৰিলে একো সিদ্ধি নহয়। যি লোকে দেহ জন অৰ্থ পদমৰ্য্যাদা আদিৰ আশা কৰি হৰিনাম লয় তেওঁলোকক হৰিনামে অবিৰ নোৱাৰে। তেওঁলোকৰ ভক্তিমাৰ্গ আশ্ৰয় কৰা বৃথা। শঙ্কৰ-মাধৱ দুইৰো পুথিবিলাকত এইবিলাক কথা বাৰে বাৰে উল্লেখ কৰা আছে। (৩)

শ্ৰৱণ কীৰ্ত্তনং বিষ্ণোঃ স্মৰণং পাদ-সেৱনম্।
অৰ্চ্চনং বন্দনং দাস্যং সখ্যমাত্মনিবেদনম্।

শঙ্কৰদেৱ ৰচিত কীৰ্ত্তনতে আছে :-

"শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদসেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহা অৰ্পণ॥
নৱবিধ ভক্তি বিষ্ণুত আচৰে
সেহিসে পাঠ উত্তম।"

এই নৱবিধ ভক্তিৰ বিষয়ে বিষ্ণুপুৰী সন্ন্যাসীৰ ভক্তি ৰত্নাৱলীত বিশদৰূপে লিখা আছে। ইয়াৰ মৰ্ম্ম এই :-

শ্ৰৱণ- অন্যৰ দ্বাৰাই উক্ত বা কীৰ্ত্তিত হৰি কথা শুনা। সাধু সঙ্গত হৰি কথা আলাপ।

কীৰ্ত্তন- নিজে হৰিকথা আৰু হৰি গুণ নাম কীৰ্ত্তন প্ৰসঙ্গ কৰা।

---

(৩) "সুদৃঢ় বিশ্বাস কৰি যিটো জন,
সদা ৰাম নাম গাৱে।
তাৰ পাপধাৰ দিয়া দুই কৰি
দূৰতো দূৰ পলাৱে॥"
"কৃষ্ণ কথা শুনে গাৱে যিটো শ্ৰদ্ধা কৰি।
অল্প কালে হিয়াত প্ৰৱেশ হোৱে হৰি॥"
"ৰহস্যক জানে যিটো লোক সঙ্গত কীৰ্ত্তন কৰে মোক
ধৰি দৃঢ় ব্ৰত কৰি মন বিপৰীত।
মোৰ মৰ্ম্মোত্তম দুই গাৱে কৰে মনকাম ভক্তি তাৰ
তাৰ মোৰ এৰা এৰি নাই কদাচিত।"
"মুকুত সকলো মনত চাহিবা আনন্দ হৰিৰ গুণে।
একপ্ৰাণ হৈবা মহন্ত সকলে গাৱন্ত কৰন্ত শুনে॥"
"দেহ ধন জন অৰ্থ লোভে পাণ্ডিত্য বুলিবে যিটো জনে
দিয়ো হৰিনামে শীঘ্ৰে জনিতে নপাৰে॥"—ঘোষা।

বিষ্ণোঃ স্মৰণ-মনত হৰিৰ নাম ৰূপ স্মৰণ।

পদ সেৱন-কোনো বিগ্ৰহ অৱলম্বন কৰি অন্তৰ্যামী ভগৱানৰ পৰিচৰ্য্যা।

অৰ্চ্চন-ভগৱানৰ উদ্দেশ্যে জল ফুল আদিৰ দ্বাৰাই পূজা।

দাস্য-নিজক ভগৱানৰ কিঙ্কৰ ভাবি সমস্ত কৰ্ম্ম ঈশ্বৰত অৰ্পণ কৰা। ভৃত্যৰ নিচিনা প্ৰভুৰ প্ৰতি একান্ত অনুৰাগ, বিশ্বাস আৰু ভক্তি, প্ৰভুৰ কৰুণাৰ নিমিত্তে কৃতজ্ঞতা প্ৰকাশ, প্ৰভুৰ আজ্ঞাপালন, প্ৰভুৰ প্ৰীতিকৰ কাৰ্য্যসাধন আৰু অপ্ৰীতিকৰ কাৰ্য্যৰপৰা নিৰস্ত হোৱা, প্ৰভুৰ সৰ্ব্বতোভাৱে সেৱা ইত্যাদি এই ৰূপ সাধনাৰ কাৰ্য্য।

সখ্য-ঈশ্বৰকে পৰম সুহৃদ বুলি বিবেচনা কৰি তেওঁতে পৰম বিশ্বাস স্থাপন কৰা। বন্ধুৱে কোনো দোষত বন্ধুক নেৰে বৰং দোষৰপৰা কেনেকৈ বন্ধু ৰক্ষা পৰে তাৰে চেষ্টা কৰে। সেই প্ৰকাৰ ঈশ্বৰেও ভক্তক কেতিয়াও নেৰে। পাপ কাৰ্য্য কৰিলেও যাতে পাপৰপৰা ভক্তই উদ্ধাৰ পায় তাৰে পথ ঈশ্বৰে দেখুৱাই দিয়ে।

আত্ম নিবেদন-দেহ সমৰ্পণ। অকল ভগৱানৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰি থকা। গৰাখ গিৰিহঁতে লোকক গৰু বেচিলে পোহপাল, যি গৰাকীয়ে কিনি লয় তেওঁৱেই দিব বুলি নিশ্চিন্ত হৈ থাকে; সেই প্ৰকাৰে যি ভক্তই ঈশ্বৰত আত্ম সমৰ্পণ কৰে তেওঁ সম্পূৰ্ণ ভাৱে ঈশ্বৰত নিৰ্ভৰ কৰি নিশ্চিন্ত থাকে।

বন্দন-"সৰ্ব্বং খল্বিদং ব্ৰহ্ম" এই উপনিষদ বাক্য সাৰ কৰি সংসাৰৰ সকলো বস্তুতে ঈশ্বৰক দেখি সকলোকে নমস্কাৰ কৰিলেই মাধৱক নমস্কাৰ কৰা হয়। বন্দনৰ অৰ্থ নমস্কাৰ।

ভক্তি-ৰত্নাৱলীত আছে—

"জল বায়ু বহ্নি মহী নক্ষত্ৰ আকাশ।
বৃক্ষ নদী সমুদ্ৰ তটস্থ দিশ পাশ॥
আছে আনো সংসাৰত বস্তু যত যত।
কৃষ্ণক দেখিব মাত্ৰ মনে সমস্তত॥
হৰিৰ শৰীৰ ইটো হেন বুদ্ধি কৰি।
সবাহাক নমস্কাৰ কৰিব সাদৰি॥"

এই কেবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ কীৰ্ত্তনকে সাধনৰ মুখ্য উপায় বুলি শঙ্কৰ মাধৱ দুয়ো ধৰিছে। এই দুটি হলেই ইবিলাক আপোনাআপুনি হয় এনে বুজোৱা হৈছে আৰু হৰি গুণ নাম কীৰ্ত্তনেই কলিৰ লোকৰ শ্ৰেষ্ঠ ধৰ্ম্ম বুলি ব্যাখ্যা কৰা হৈছে। "হৰেৰ্নামৈৱ কেৱলম্ কলৌ নাস্ত্যেৱ নাস্ত্যেৱ নাস্ত্যেৱ গতিৰন্যথা।" অৰ্চ্চন পদসেৱন আদিত যি পূজা আছে তাৰ আৱশ্য-কতা সম্পৰ্কে মহাপুৰুষ দুজনাৰ পুথিত বিশেষ একো লিখা পোৱা নাযায়। সাধনৰ এই দুটি অঙ্গ সিমান আৱশ্যক বা উপযুক্ত নহয় এয়ে তেওঁলোকৰ অভিপ্ৰায় যেন বুজা যায়। বিশেষ এই প্ৰকাৰ পূজা নিষ্কাম হলেহে ফলপ্ৰদ হয় আৰু এই পূজাৰ সামগ্ৰি ধন-বিত্ত সুবৰ্ণ আদি নহয়, তাত নাৰায়ণৰ তৃপ্তি নহয়, অকপট শুদ্ধ ভক্তিহে পূজাৰ পৰম বস্তু এই কথা স্পষ্টভাৱে লিখা আছে। (৪)

আন আন মত অনুসাৰে ভক্তিৰ নিম্নলিখিত প্ৰকাৰৰ বেলেগ stage বা স্তৰৰ কথা পোৱা যায়, যেনে শান্ত, দাস্য, বাৎসল্য, মধুৰ। এইবিলাককো সাধনৰ পথ বুলিব পাৰি। বাৎসল্য ভাৱত শিশুক যেনেকৈ স্নেহ কৰা যায় সেই প্ৰকাৰ স্নেহ কৰা হয়। ভাৰত-বৰ্ষৰ শিশু কানাই আৰু খৃষ্টানবিলাকৰ Baby Jesus

---

দৈত্য শিশুবিলাকক উপদেশ দিওঁতে প্ৰহলাদে কৈছে :—
"কৃষ্ণ কথা শ্ৰৱণত শুদ্ধ হৈব মন।
সৰ্ব্বদায় কৰিবেক কৃষ্ণৰ কীৰ্ত্তন॥
কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্তে ভূতত॥
হেন জানি প্ৰাণাধিক কৰিবা সৎকাৰ।
তেবেসে কৃষ্ণত ৰতি হৈবেক তোমাৰ॥
হৰিৰ সেৱাত কিছু নাহিক প্ৰয়াস।
আপুনি সৈৱত হৰি হৃদয়ত বাস॥" —কীৰ্ত্তন।
"এহি মানে মাত্ৰ শ্ৰেষ্ঠ ধৰ্ম্ম পুৰুষৰ।
একচিত্তে ভক্তি আচৰিয়া মাধৱৰ।
শ্ৰৱণ কীৰ্ত্তন তান কৰিব সদায়।
ভকতিও আতপৰে আৰ শ্ৰেষ্ঠ নাই॥"
"পৰম শ্ৰদ্ধায়ে নিতে হৰিগুণ ৰত।
শ্ৰৱণ কীৰ্ত্তন মুখে কৰয় সতত॥
"অতি অল্পকালে আসি প্ৰভু ভগৱন্ত।
হিয়াতে সাক্ষাতে তাৰ প্ৰকাশ হোৱন্ত॥"—ভক্তি ৰত্নাৱলী।

"এৰি লোক যিটো আন দেৱত ভকতি।
একে মাধৱক মাত্ৰ ভজে দৃঢ় মতি॥
তাহাৰ পাতক যদি সিজে প্ৰমাদত।
নাশ হোৱে সিও ঈশ্বৰৰ প্ৰসাদত॥"—নিমি নৱসিদ্ধ সংবাদ।
"শুনৈ কৃষ্ণ কথা যিটো কৰিয়া যতন।
তাহাৰ হিয়াত প্ৰৱেশয় নাৰায়ণ॥"
"শুনন্তে কৃষ্ণৰ কথা সাধুৰ সঙ্গত।
পৰম নিশ্চল ভক্তি হোৱয় কৃষ্ণত॥
আত্মা ঈশ্বৰত মাত্ৰ দৃষ্টি হোৱে তাৰ।
কৃষ্ণ কথা শ্ৰৱণৰ মহিমা অপাৰ॥
ঈশ্বৰ কৃষ্ণৰ লীলা চৰিত্ৰ সিজন।
পৰম শ্ৰদ্ধায়ে সদা কৰন্ত শ্ৰৱণ॥
অতি অল্প কালে আসি তাহাৰ হিয়াত।
হোন্ত ভগৱন্ত কৃষ্ণ প্ৰকাশ সাক্ষাত॥"
"কৃষ্ণ পাৱে এক শৰণ পশিয়া কৃষ্ণক সদা স্মৰয়।
হোৱে পাপক্ষয় মুকুতি বিনয় এহিসে তৈলা নিৰ্ণয়॥"
—ভক্তি ৰত্নাকৰ।

এই ভাবৰ পৰা সমুদ্ভূত। মধুৰ ভাব অকল ভাৰতবৰ্ষতহে দেখিবলৈ পোৱা যায়। এই ভাৱত সংসাৰৰ সকলো জীৱ, স্ত্ৰী, পুৰুষ একমাত্ৰ ভগৱান। স্ত্ৰী পুৰুষৰ যি নিকট সম্বন্ধ, ঈশ্বৰেৰে সৈতে তেনে সম্বন্ধ এই ভাৱত কৰা হয়। এই ভাৱতহে ৰাসলীলা কৰা হয়। মহাপ্ৰেমিক চৈতন্যৰ মতে এই ভাবৰ ভক্তিয়েই সৰ্ব্বোত্তম। সেই দেখি তেওঁৰ এই ভাব সাধনা আছিল। কথিত আছে যে দুষ্টা ব্যভিচাৰিণী ব্ৰজৰ যুৱতীবিলাকেও এই কাম ভাবেই শ্ৰীকৃষ্ণক ভজি উদ্ধাৰ পাইছিল। সাধাৰণৰ পক্ষে যে এই ভাব অনুপযুক্ত তাক কোৱা বাহুল্য মাত্ৰ। বঙ্গদেশৰ "নেড়ানেড়ীৰ" কথা যি জানে তেওঁৱেই বুজিব এই প্ৰকাৰ ধৰ্ম্ম সাধনাৰ ফল কি হয়। আসামৰ মঙ্গলৰ অৰ্থেই শঙ্কৰ মাধৱে শ্ৰীকৃষ্ণৰ লগত শ্ৰীৰাধাৰ সমাৱেশ কৰা নাছিল। শান্ত ভাৱত ধ্যান ধাৰণা আদি হয়। দৰাচলতে এই ভাব নিৰ্গুণোপাসনাৰহে উপযুক্ত। সেইদেখি শঙ্কৰ মাধৱৰ প্ৰদৰ্শিত ধৰ্ম্মত সখ্য আৰু দাস্য ভাবৰ ঈশ্বৰ সাধনাহে শ্ৰেষ্ঠ কৰি বুজোৱা হৈছে। (৫)

দাস্য সখ্য ভাবৰ ঈশ্বৰ সাধনা বাস্তৱিক সংসাৰীৰ বিশেষ উপযুক্ত। শান্ত ভাবৰ ধাৰণা কিম্বা মধুৰ ভাবৰ প্ৰেমৰসৰ আস্বাদ সমাজভুক্ত সংসাৰীৰ উপযুক্ত নহয়। সেইবাবে ধ্যানমগ্ন যোগী আৰু মধুৰ ভাবৰ সাধক প্ৰেমৰসাস্বাদী বৈৰাগী উভয়ে সংসাৰত্যাগী সন্ন্যাসী। কিন্তু জগতৰ অধিক ভাগ লোক সংসাৰী। ব্ৰহ্মৰ সাধনা যোগী ঋষিৰহে সাধ্য, সংসাৰী লোকৰ অসাধ্য, সংসাৰী কেৱল বেদবিহিত কৰ্ম্মৰ অধিকাৰী অৰ্থাৎ সংসাৰীৰ পক্ষে বেদবিহিত দেৱোপাসনা আৰু ওপৰৰ থাপৰ জ্ঞানীসকলৰ নিমিত্তে ব্ৰহ্মৰ সাধনা শ্ৰেয় এনে ধাৰণা বহুতৰ আছে। এই ধাৰণা ভুল। এই ভুল ধাৰণাৰ নিমিত্তেই সংসাৰীয়ে হোম, যাগ, প্ৰায়শ্চিত্ত আদি ক্ৰিয়াৰ দ্বাৰাই দেৱতা উপ-দেৱতাক পূজি পুণ্য আৰ্জ্জি স্বৰ্গাদি সুখৰ আশা কৰে। এই প্ৰকাৰ স্বৰ্গসুখ কিন্তু স্থায়ী নহয়। পুণ্যক্ষয় হলে কৰ্ম্মীৰ আকৌ পতন হয়। সকাম কৰ্ম্ম বন্ধৰ কাৰণ। গীতাত আছে যে ঈশ্বৰৰ উদ্দেশ্যে যি কৰ্ম্ম কৰা হয় তদ্ভিন্ন আন কৰ্ম্ম কেৱল বন্ধৰ কাৰণ। "যজ্ঞাৰ্থাৎ কৰ্ম্মণোহন্যত্ৰ লোকোঽয়ং কৰ্ম্মবন্ধনঃ।" ইয়াত "যজ্ঞৰ" অৰ্থ কৰোতে শঙ্কৰাচাৰ্য্যই কৈছে "যজ্ঞোবৈ বিষ্ণুঃ।" অৰ্থাৎ যজ্ঞাৰ্থ কৰ্ম্ম কৰা মানে ঈশ্বৰৰ উদ্দেশ্যে কৰ্ম্ম কৰা। এয়ে দাস্য সাধনাৰ মূলং সংসাৰীয়েও দাস্য সখ্য ভাবে ঈশ্বৰ সাধনা কৰিব পাৰে। শঙ্কৰ মাধৱ উভয়ে এই কথা লোকক বুজাবৰ চেষ্টা কৰিছিল। (৬) সকলো ধৰ্ম্ম ঈশ্বৰত সমৰ্পণ কৰি ঈশ্বৰৰ প্ৰিয় কাৰ্য্য সাধন আৰু অপ্ৰিয় কাৰ্য্য বৰ্জ্জন, এয়ে দাস্য ভক্তিৰ উদ্দেশ্য। সংসাৰী হৈ সন্তানৰ লালন-পালন শিক্ষক চৰিত্ৰৱান আৰু ধাৰ্ম্মিক কৰিবৰ চেষ্টা—ইও ঈশ্বৰৰ প্ৰিয়কাৰ্য্য। এই যে দৰিদ্ৰই অন্নাভাৱত কষ্ট পাব লাগিছে, ৰোগীয়ে শুশ্ৰূষা খুজিছে, দুৰ্ব্বলে বলীৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ পাবলৈ অস্ফুট কাতৰোক্তি কৰিব লাগিছে—চকুৰ আগত সদাই কত এনে অৱস্থা দেখিব লাগিছোঁ। দৰিদ্ৰক প্ৰতিপাল, ৰোগীৰ শুশ্ৰূষা, দুৰ্ব্বলীক ৰক্ষা ইত্যাদি ঈশ্বৰৰ আদেশ নহয় নে? ঈশ্বৰক স্মৰণ ৰাখিব লাগিব। সংসাৰী ব্ৰহ্ম সাধনাৰ উপযুক্ত নহয়—এনে অভিপ্ৰায় ঈশ্বৰৰ নহয়। প্ৰাচীনকালত ধৰ্ম্ম সাধনাৰ নিমিত্তে স্ত্ৰী পুত্ৰৰ বন্ধন ছিঙি সংসাৰ ত্যাগ কৰি নিৰ্জ্জন হাবিত নাইবা পৰ্ব্বতৰ গুহাত জীৱন কটোৱা বিধি আছিল। কিন্তু পৰৱৰ্ত্তী সময়ত ধৰ্ম্মৰ আদৰ্শ পৰিবৰ্ত্তিত হল। সত্য, ত্ৰেতা, দ্বাপৰ যুগৰ ধৰ্ম্ম সাধনৰ উপায় কলি যুগত অনুপযুক্ত। বৰ্ত্তমান যুগত ধৰ্ম্মৰ নিমিত্তে নিৰ্জ্জন সাধনাৰ আৱশ্যকতা থাকিলেও একেবাৰে সংসাৰ ত্যাগ কৰিবৰ আৱশ্যক নাই। সংসাৰতহে মনুষ্যত্বৰ পূৰ্ণ বিকাশ হয়। সংসাৰৰ নানা প্ৰলোভন আদিৰ মাজত চিত্ত স্থিৰ ৰাখি ঈশ্বৰৰ ভজনা কৰি ঈশ্বৰৰ কৰুণাৰ বলেৰে বলী হৈ সমাজ সেৱা, মানৱ সেৱা কৰিব লাগিব। একেবাৰে বিষয়াষক্ত হৈ ধন মান আদিৰ কাৰণ চিন্তা কৰি থাকিলে চিত্ত স্থিৰ নাথাকে। সংসাৰত থাকি বাসনা পৰিত্যাগ কৰিব পাৰিলে যথাৰ্থ বৈৰাগ্য হয়। যিসকল দেখাই বৈৰাগী কিন্তু প্ৰকৃততে বাসনা এৰিব পৰা নাই সেইবিলাক কপট আৰু অধাৰ্ম্মিক। সেইবিলাকহে ঘোৰ সংসাৰী। এনে বৈৰাগীক মাধৱদেৱে শূকৰেৰে তুলনা কৰিছে :—

---

(৪) "ইন্দ্ৰিয়ৰ সুখ অৰ্থে অৰ্চ্চয় তোমাক। সিটো মূঢ়মতি বঞ্চিলেক আপোনাক ॥"
"নুহি যোগ্য প্ৰাৰ্থীবে তোমাৰ চৰণত। বিষয় সম্বন্ধ-সুখ আছে যত যত ॥"
"তুলা কৃষ্ণ পূজাৰ সামগ্ৰি যেন-মত ॥ গৰ্ব্ব আদি দূষিত যতেক বস্তু ধন।
তাত অতি তুপিতি নুহিকে নাৰায়ণ ॥ অকপট শুদ্ধ ভাৱ আদি হৃদয়ৰ।
পূজাৰ পৰম বস্তু সেহিসে কৃষ্ণৰ ॥" "তনু পান পঙ্কজে নিশ্চল বুদ্ধি নবে।
জলে ফুলে অব্যভিচাৰিণী পূজা কৰে ॥" —ভক্তি ৰত্নাৱলী।
"জলে ফুলে পত্ৰে মাত্ৰ যদি পূজিবেক। আলোচিলা মনত নিশ্চয় কৰিবেক ॥
এতেকেতে তৃপ্তি হুয়া প্ৰভু ভগৱন্ত। পৰম্পদ বৈকুণ্ঠক দিবাক বোলন্ত ॥
কৃপালু কৃষ্ণৰ গুণ কহন নযাৰ। নতু পুজা কৰতে পূৰ্ণতে পুজা পায় ॥"—ভক্তি ৰত্নাকৰ।
"ভক্তি ৰত্নাকৰ" শঙ্কৰদেৱে ৰচা সংস্কৃত ভাষাৰ এখনি গ্ৰন্থ। ৰামচৰণ ঠাকুৰে ইয়াৰ অসমীয়া পদ কৰিছে।

'গৃহবাসে কিবা ভক্তি কৰিবে বাধয় ।
গৃহে থাকি ভকতি কৰিবে সুৰালয় ॥
এবে গৃহ বাস নতু হোৱন্তে বিৰক্তি ।
পাছত ধৰয় সিটো শূকৰৰ বৃত্তি ॥

*

যেন আপোনাৰ বিষ্ঠা শূকৰে এৰয় ।
পৰৰ বিষ্ঠাক পাছে ভোজন কৰয় ॥"

দৈত্যাৰি কৃত গুৰুচৰিত্ৰ ।

এই বিষয়ে ভক্তি ৰত্নাকৰত আছে :—

"প্ৰমত্ত পুৰুষ যদি বনে চলি যায় ।
বনতো সংসাৰ তাৰ জ্বালা নুগুচয় ॥
যিবা হেতু ছয় শত্ৰু লগতে থাকয় ।

*

যিটো জ্ঞানী জিতেন্দ্ৰিয় আত্মাতে ৰময় ।
গৃহবাস দোষে বা তাহাঙ্ক কি কৰয় ॥
হৰিৰ সেৱক তুমি পৰম মহন্ত ।
ইন্দ্ৰিয় সৱক জিনি ভৈলা উপশান্ত ॥
গৃহবাসে বনবাসে সমান তোমাৰ ।"

শুদ্ধচিত্ত হৈ সংসাৰত থকাই ভাল, বনবাসৰ কোনো আৱশ্যক নাই। সংসাৰত্যাগী জ্ঞান পন্থৰ যোগীয়ে নিৰ্গুণ ব্ৰহ্মৰ সত্তা লৈয়ে থাকে। সেই সত্তাত যোগীয়ে নিজক আৰু জগতক ডুবাই দিয়ে। সংসাৰী ভক্তৰ ঈশ্বৰ নিত্য হলেও লীলাময়। যাৰেই নিত্যতা তেওঁৰেই লীলা। সেইদেখি ভক্তই জগতক মিথ্যা বুলি এৰি নিদিয়ে, কাৰণ জগৎ ঈশ্বৰৰে লীলা। জ্ঞান পন্থৰ যোগীৰ নিৰ্জ্জন সাধনা, কিন্তু সংসাৰী ভক্তৰ নামঘৰ, সমাজ-ঘৰ, গিৰ্জ্জা, মচ্‌জিদ প্ৰভৃতিত সমবেত কীৰ্ত্তন, নাম, উপাসনা, প্ৰাৰ্থনা প্ৰসঙ্গ। সংসাৰী ভক্তৰ ধৰ্ম্ম যেনে ঈশ্বৰমুখী তেনে সমাজমুখী।

গাইগোটা সাধন এই ধৰ্ম্মৰ অনুমোদিত ব্যৱস্থা নহয়। সেইদেখি ৰাজহুৱা নামঘৰ, কীৰ্ত্তনঘৰ, আদিত ভক্তসকলে গোট খাই সমবেত প্ৰসঙ্গ, নাম, কীৰ্ত্তন আদি কৰা অসমীয়া বৈষ্ণৱ সম্প্ৰদায়ৰ ধৰ্ম্মৰ প্ৰধান অঙ্গ। চাপৰি বজাই তাল নাগাৰা আদিৰ সাহায্যেৰে নাম কীৰ্ত্তন কৰা হয়। বঙ্গদেশীয় বৈষ্ণৱবিলাকৰ নিচিনা নগৰ কীৰ্ত্তন, নৃত্য আদি অসমীয়া বৈষ্ণৱৰ মাজত প্ৰচলিত নাই। সমবেত কীৰ্ত্তনৰ বাহিৰেও বহুতে নিজ নিজ ঘৰত প্ৰসঙ্গ আদিৰ দ্বাৰাই পাৰিবাৰিক উপাসনা কৰে, আৰু আৰু এইবাবে পাৰিবাৰিক উপাসনা ঘৰ বা নাম-ঘৰ প্ৰায় লোকৰ আছে। প্ৰসঙ্গ বা প্ৰাৰ্থনাৰ (*prayer*) কেইটিমান ঘাই ভাগ আছে যাক ছন্দ বোলা হয়, যেনে নামছন্দ, শৰণছন্দ। ইয়াৰ বাহিৰেও মাধৱ দেৱৰ ঘোষাত প্ৰশংসা, ভজন, উপদেশ, মহিমা, আত্মউপদেশ, আত্মনিন্দা, কাকুতি প্ৰভৃতি প্ৰসঙ্গৰ অঙ্গ দেখা যায়।

শঙ্কৰ মাধৱ উভয়ে কৰ্ম্মবাদী মীমাংসক আচাৰ্য্য-সকলৰ মতৰ বিৰুদ্ধে শিক্ষা দিছিল। ইয়াৰ কাৰণ এই যে এতিয়াতকৈও তেওঁলোকৰ সময়ত জনসাধাৰণৰ মাজত কৰ্ম্মবাদীসকলৰ প্ৰাধান্য খুব বেছি আছিল।

---

(৫) সখ্য—"হৰিক বান্ধৱ বুলিয়া যিজন কৰয়ে কীৰ্ত্তন।
সমস্ত শাস্ত্ৰৰ তত্ত্বক জানিল জানা সেহি মহাজন॥"
"হৰি ও হৰি কৰুণাসাগৰ কৰিও কৃপা আমাক।
প্ৰিয়তম আত্মা সখা ইষ্ট গুৰু মানিয়া আছোঁ তোমাক॥"
"কিনো অপৰাধ কৰি আছোঁ আমি বান্ধৱ মাধৱ প্ৰাণ।"
"কৃষ্ণ নিজ ইষ্টদেৱ আত্মা প্ৰিয়তম সুহৃদ সোদৰ বন্ধুজন॥"
"যিটোজনে তত্ত্ব ভাবে হৰিত শৰণ লৈয়া হৰিক সুহৃদ বুলি আছে।"
"হে প্ৰাণ বন্ধু কৃষ্ণ কৃপাৰ সাগৰ কৃপাদৃষ্টি চাহিওক মোক।"

দাস্য—"মই অনাথক দয়া কৰহ পৰমানন্দ, দাস বুলি ধৰিও মনত। থৈও নিজ ভৃত্যৰ সঙ্গত।
অঙ্গুলি মুখত কৰোঁ দন্তে তৃণ তুলি ধৰোঁ কেশ ছিজি দেওঁ চৰণত॥"
"হে হৰি মোক, দাস হেন মানি, ক্ষমিও কৃপাময়॥"
"নিজ দাস কৰি হৰি মোক কিনা কিনা। আন ধন মলাসম নাম ধন বিনা॥"—ঘোষা।

(৬) বৃহৎ হাৰিত সংহিতাত দাস্য সাধনাৰ বিষয়ে এই প্ৰকাৰে লিখা আছে :—
"ওঁ স্বীকুৰ্ব্বন্তি বিদ্বাংসঃ স্ব স্ব বৰ্ণজ্ঞা সদা।
নৈসৰ্গিকং হি সৰ্ব্বেষাং দাস্যমেৱ হৰেঃ সদা॥
স্বাম্যং পৰব্ৰহ্মণঃ স্যাদ্দাস্যং জীৱস্য সৰ্ব্বদা।
প্ৰকৃত্যাত্তাত্মনোৰূপং স্বাম্যং দাস্যমিতি স্থিতিঃ॥
দাস্যমেৱ পৰং ধৰ্ম্ম দাস্যমেৱ পৰং হিতম্।
দাস্যেনৈৱ ভবেন্মুক্তিৰন্যথা নিৰয়ং ভবেৎ॥
বিজ্ঞোৰ্দাস্যং পৰাভক্তিৰেষা ভূন ভবেৎ কুচিৎ।
তেষামেৱ হি সংস্পৃষ্টং নিৰয়ং গ্ৰুৱা ধ্ৰুৱ॥

* * *

তস্মাদ্দাস্যং পৰং ভক্তিমাত্ৰা মুক্তয়ৰ।
নিত্যং নৈমিত্তিকং সৰ্ব্বং কুৰ্য্যাৎ প্ৰীত্যৈ হৰেঃ সদা॥"

মীমাংসক আচাৰ্য্যবিলাক নিৰীশ্বৰবাদী, অৰ্থাৎ যাক আজিকালি সাধাৰণ ভাষাত নাস্তিক (*atheist*) বোলা হয়। (৭) তেওঁলোকৰ মতে বেদ নিত্য আৰু অভ্ৰান্ত আৰু জীৱৰ ধৰ্ম্ম বেদবিহিত যাগ পূজাদিৰ দ্বাৰাই স্বৰ্গ কামনা কৰা। "যজেত স্বৰ্গকামঃ।' ইন্দ্ৰাদি দেৱতাৰ উদ্দেশ্যে যজ্ঞ কৰা হয় সত্য, কিন্তু দেৱতা গৌণ মাত্ৰ, প্ৰয়োজনীয় নহয়, দেৱতা কেৱল মন্ত্ৰাত্মক। বিধি নিষেধ আদি পালন কৰি অভ্ৰান্ত বেদৰ বিহিত কৰ্ম্ম কৰিলেই পুণ্য সঞ্চয় হয়, ঈশ্বৰৰ প্ৰয়োজন নাই—এযে তেওঁলোকৰ মত। তেওঁলোকে জগৎস্ৰষ্টা বা পালনকৰ্ত্তা এজন ঈশ্বৰ আছে বুলি স্বীকাৰ নকৰে। প্ৰকৃততে তেওঁলোকৰ ধৰ্ম্ম *Godless religion* (৮)। কৰ্ম্মবাদীসকলৰ এই ঈশ্বৰবিমুখী ধৰ্ম্মই পূৰ্ব্বাপৰ জনসাধাৰণৰ মাজত প্ৰচলিত আছে—ই বাস্তৱিক আশ্চৰ্য্যৰ বিষয়। এতিয়াও যিসকলে মীমাংসকবিলাকৰ অনুমোদিত ভাবে স্বৰ্গাদি সুখৰ আশা কৰি বা আন সঙ্কল্প কৰি machine বা যন্ত্ৰৰ নিচিনাকৈ যাগ যজ্ঞ পূজাদি কৰে তেওঁলোকেই সমাজত গোৰা হিন্দু বুলি পৰিচিত। ঈশ্বৰৰ উদ্দেশ্যে কৰ্ম্ম কেইজনে কৰে? হায়, এই প্ৰকাৰ কৰ্ম্মৰপৰা নিবৃত্ত কৰি লোকক ঈশ্বৰমুখী কৰিবলৈ যত্ন কৰাৰ বাবেই শঙ্কৰ মাধৱ আদিয়ে নানা প্ৰকাৰ নিৰ্য্যাতন সহ্য কৰিব লগাত পৰিছিল। এতিয়াও তেওঁলোকক সমাজবিৰোধী ধৰ্ম্ম প্ৰচাৰক বুলি জনাশুনা লোকেও ব্যাখ্যা কৰে!! শঙ্কৰ মাধৱে যি কৰ্ম্মযোগ শিক্ষা দিছিল সি সম্পূৰ্ণ ভাবে ঈশ্বৰমুখী।

"চেতসা সৰ্ব্বকৰ্ম্মাণি ময়ি সংন্যস্য মৎপৰঃ।
বুদ্ধিযোগমুপাশ্ৰিত্য মচ্চিত্তঃ সততং ভৱ॥"
"ব্ৰহ্মণ্যাধায় কৰ্ম্মাণি সঙ্গং ত্যক্ত্বা কৰোতি যঃ।
লিপ্যতে ন স পাপেন পদ্মপত্ৰমিবাম্ভসা॥"

"নবুজে বেদ অভিপ্ৰায় গূঢ়॥ আঃ
কৰ্ম্মক কৰিবে নজানে মূঢ়॥
মূৰ্খ হয়া বোলে মই পণ্ডিত।
নষ্ট কৰি কুৰে আনৰো চিত্ত।
নিষ্কামে কৰিয়া সকল কৰ্ম্ম।
বিষ্ণুত অৰ্পিব সিসব ধৰ্ম্ম॥ —কীৰ্ত্তন।

ঈশ্বৰত সমস্ত ধৰ্ম্ম সমৰ্পণ কৰাই দাস্য ভক্তিৰ মূলকথা আৰু এই প্ৰকাৰ ভক্তিয়েই মহাপুৰুষীয়া ধৰ্ম্মৰ সাৰ, এই কথা বাৰে বাৰে উল্লেখ কৰা হৈছে। যি কৰ্ম্মৰ মূলত সংকল্প লাভৰ আশা নাই, যি কৰ্ম্ম নিৰহংকাৰীভাৱে কেৱল ভগৱানৰ উদ্দেশ্যে কৰা হয় সেয়েহে প্ৰকৃত যজ্ঞ কৰ্ম্ম। যজ্ঞৰ প্ৰকৃত ভাব ত্যাগ (sacrifice)। এই যজ্ঞৰ বেদী—জগতৰ হিত, ত্যাগ—আত্ম বলিদান আৰু যজ্ঞেশ্বৰ স্বয়ং ঈশ্বৰ। এনে ধৰ্ম্মই ঈশ্বৰমুখী আৰু সমাজমুখী।

সদ্ গুৰুৰ আৱশ্যকতা সম্পৰ্কে মহাপুৰুষীয়া সম্প্ৰদায়ৰ মত এই:—গুৰুৰ উপদেশ ধৰ্ম্ম সাধনৰ নিমিত্তে আৱশ্যকীয় কিন্তু সেই গুৰু উপযুক্ত গুৰু হব লাগে নতুবা বিশেষ হানি হয়। উত্তম গুৰু কেনে ভক্তিৰত্নাকৰত লিখিছে:—

"বেদৰ ৰহস্য তত্ত্ব সকলে জানন্ত।
কৃষ্ণক ভকতি বলে সাক্ষাৎ কৰন্ত॥
এহেন্তে উত্তম গুৰু কহিলোঁ সম্প্ৰতি।
ইহাৰেসে উপদেশে শুদ্ধ হোৱে মতি॥"

শাস্ত্ৰ জানে অথচ ভক্ত নহয় এনেজনৰ উপদেশ উপকাৰী নহয়। হাজাৰ শাস্ত্ৰ পঢ়াৰপৰা মেধাৰ দ্বাৰাই ব্ৰহ্মজ্ঞান নহয়। "নায়মাত্মা প্ৰবচনেন লভ্যো ন মেধয়া ন বহুনা শ্ৰুতেন।" (কঠোপনিষৎ) ভক্ত অথচ শাস্ত্ৰজ্ঞান নাই এনে গুৰুৱে শিষ্যৰ সংশয়

তাৎপৰ্য্য—

উচ্চশ্ৰেণীৰ ভক্তসকলে নিজৰ আধ্যাত্মিক উন্নতিৰ গুণে উচ্চভাবৰ ভক্তিৰ নানা প্ৰকাৰ সাধনা কৰিব পাৰে, কিন্তু জনসাধাৰণৰ নিমিত্তে সেব্য সেৱকৰ ভাবৰ ভক্তিয়েই স্বভাৱতে ভাল।

সৰ্ব্বশক্তিমান পৰমেশ্বৰ সকলোৰে প্ৰভু, জীৱবিলাক তেওঁৰ দাস; এই সম্বন্ধ স্বাভাৱিক।

দাস্য সাধনাই পৰম ধৰ্ম্ম আৰু পৰম হিতকাৰী। এই সাধনাৰ দ্বাৰাই মোক্ষ লাভ হয়। অন্য পন্থা অৱলম্বন কৰাবিলাক নৰকত পৰে।

দাস্য ভাবৰ সাধনাও অতি শ্ৰেষ্ঠ সাধনা। ইয়াৰ দ্বাৰাই অতি উচ্চভাবৰ ভক্তি জন্মে। হে নৃপ, ভক্তিহীন জনক চুনেই নৰকগামী হয়।

সেই নিমিত্তে হে পুণ্যবান্ ৰাজন্, তুমি দাস্য ভাবৰ সাধনা অৱলম্বন কৰি ঈশ্বৰ প্ৰীতি অৰ্থে নিত্য নৈমিত্তিক কৰ্ম্মবিলাক কৰা।

(৭) দাৰ্শনিক ভাষাত বিলকৰে দেহৰ অতিৰিক্ত আত্মাৰ স্বতন্ত্ৰতা স্বীকাৰ নকৰে অৰ্থাৎ যিবিলাক দেহাত্মবাদী তেওঁ- (materialist) বিলাককহে নাস্তিক বোলা হয়। চাৰ্ব্বাক এই শ্ৰেণীৰ দাই আচাৰ্য্য। জৈমিনি প্ৰভৃতি মীমাংসক আচাৰ্য্যসকল আৰু কপিল প্ৰমুখ্য সাংখ্যবাদী আচাৰ্য্যসকল নিৰীশ্বৰবাদী হলেও তেওঁলোকক নাস্তিক বোলা নহয়, কাৰণ তেওঁলোকে আত্মাৰ স্বতন্ত্ৰ অস্তিত্ব মানে।

(৮) মহামহোপাধ্যায় মহেশচন্দ্ৰ ন্যায়ৰত্নৰ মীমাংসা দৰ্শনৰ পাণ্ডিত্য লিখিছে:—

"But though dealing so largely with the sacred Scriptures of the Hindus and thus commanding a large share of their respect, oddly enough, it propounds a Godless system of religion. The main drift of its arguments is to show that if bliss be the fruit of good works, the interposition of a deity is simply superfluous."

ওচৰ নোৱাৰে। সেইদেখি গুৰু একাধাৰে শাস্ত্ৰজ্ঞানী আৰু ভক্ত হব লাগে। কোনো বিশেষ বৰ্ণ বা জাতিৰ লোকহে গুৰু হব পাৰে এনে কথা পোৱা নাযায়। কিন্তু ধৰ্ম্মগুৰু আৰু শিষ্য একে ধৰ্ম্মাৱলম্বী হোৱা নিতান্ত আৱশ্যক, বৈষ্ণৱ ধৰ্ম্মাৱলম্বী শিষ্যক শাক্ত ধৰ্ম্ম দিয়া যেনে অনুচিত তেনেকৈ শিষ্য শাক্ত মতাৱলম্বী গুৰু ওচৰলৈ যোৱাও অযুগুত। এনে বেমেজালি বৰ্ত্তমান সময়ত আসামত হৈছে কিন্তু যোৱাও অযুগুত। এনে বেমেজালি বৰ্ত্তমান সময়ত আসামত হৈছে কিন্তু ভাৰতবৰ্ষৰ অন্য ঠাইত এনে বোধকৰোঁ হোৱা নাই।

উপনিষদ, ব্ৰহ্মসূত্ৰ আৰু গীতা এই তিনি ভাগ গ্ৰন্থক যে আমাৰ শাস্ত্ৰত প্ৰস্থানত্ৰয় বোলা হয় ইয়াৰ ভাবাৰ্থ এনে অনুমান হয় যে মূল হিন্দুশাস্ত্ৰৰ ভিতৰত এই তিনিটি ভাগ প্ৰকৃত ঈশ্বৰ প্ৰতিপাদক আৰু ঈশ্বৰ সাধনমূলক, আৰু সেইদেখি এই তিনিটিৰ শিক্ষা আশ্ৰয় কৰি জীৱই নিৰ্ভয়ে ইহলোকৰপৰা অনন্ত-লোকলৈ প্ৰস্থান কৰিব পাৰে। ব্ৰহ্মসূত্ৰৰ বিশদ ব্যাখ্যা উপনিষদবিলাকত পোৱা যায় আৰু গীতা উপনিষদৰ সাৰ। এই নিমিত্তে গীতাক প্ৰস্থানত্ৰয়ৰ সাৰ বুলিব পাৰে। সচৰাচৰ কোৱা হয় যে সহস্ৰ নামৰ নাম, ভাগৱতৰ সৎসঙ্গ আৰু গীতাৰ একশৰণ এই লৈয়ে মহাপুৰুষীয়া ধৰ্ম্ম। এই তিনিটি অঙ্গৰ ভিতৰত শৰণেই যে যাই আৰু ধৰ্ম্মৰ মূল ভিত্তি তাক কোৱা বাহুল্য মাথোন। গীতাৰ একশৰণ কি? ন এক পৰমেশ্বৰত সুদৃঢ় বিশ্বাস, সকলো ধৰ্ম্ম কৰ্ম্ম তেওঁতে সমৰ্পণ, কায়মনোবাক্যে এক-শৰণ, তেওঁৰ প্ৰতি অব্যভিচাৰী ভক্তি;

"মন্মনা ভব মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু।
মামেবৈষ্যসি যুক্ত্বৈৱ মাত্মানং মৎপৰায়ণঃ॥"
"মচ্চিত্তা মদগতপ্ৰাণা বোধয়ন্তঃ পৰস্পৰম।
কথয়ন্তশ্চ মাং নিত্যং তুষ্যন্তি চ ৰমন্তি চ॥"
"তমেৱ শৰণংগচ্ছ সৰ্ব্বভাৱেন ভাৰত।
তৎ প্ৰসাদাৎ পৰাং শান্তিং স্থানং প্ৰাপ্স্যসিশাশ্বতম॥"
"যোগিনামপি সৰ্ব্বেষাং মদগতেনান্তৰাত্মনা।
শ্ৰদ্ধাবান্ ভজতে যো মাং স মে যুক্ততমো মতঃ॥"
"মৎকৰ্ম্মকৃন্মৎপৰমো মদ্ভক্তঃ সঙ্গবৰ্জ্জিতঃ
নিৰ্ব্বৈৰঃ সৰ্ব্বভূতেষু যঃ স মামেতি পাণ্ডৱ॥"
"যে তু সৰ্ব্বাণি কৰ্ম্মাণি ময়ি সংন্যস্য মৎপৰাঃ।
অনন্যেনৈৱ যোগেন মাং ধ্যায়ন্ত উপাসতে॥
তেষামহং সমুদ্ধৰ্ত্তা মৃত্যুসংসাৰসাগৰাৎ।
ভৱামি ন চিৰাৎ পাৰ্থ। ময্যাৱেশিতচেতসাম॥"
"ময্যেৱ মন আধৎস্ব ময়ি বুদ্ধিং নিবেশয়।
নিৱসিষ্যসি ময্যেৱ অত উৰ্দ্ধং ন সংশয়ঃ॥"
"মাঞ্চ যোহব্যভিচাৰেণ ভক্তিযোগেন সেৱতে।
স গুণান্ সমতীত্যৈতান্ ব্ৰহ্মভূয়ায় কল্পতে॥"

"যো মামেৱমসংমূঢ়ো জানাতি পুৰুষোত্তমম্।
স সৰ্ব্ববিদ্ ভজতি মাং সৰ্ব্বভাৱেন ভাৰত॥"
—গীতা।

মাধৱদেৱৰ ঘোষাত গীতাৰ এইবিলাক শ্লোকৰ সুন্দৰ মৰ্ম্ম পোৱা যায়। এক-শৰণেই গীতাৰ মূল শিক্ষা। এয়ে বিশ্বাসৰ ধৰ্ম্ম, ভক্তিৰ ধৰ্ম্ম, একশৰণ ধৰ্ম্ম। ইয়াতকৈ আৰু উচ্চ ধৰ্ম্মশিক্ষা গীতাত আছে এনে মনে নধৰে।

গীতাত কৰ্ম্মযোগ, জ্ঞানযোগ, ধ্যানযোগ আৰু ভক্তিযোগৰ এক অপূৰ্ব্ব সামঞ্জস্য কৰা হৈছে। হিন্দুদৰ্শন এটাইবিলাক দুখবাদৰ ওপৰত নিৰ্ভৰ কৰে। ঐকান্তিক দুখ নিবৃত্তিয়েই জীৱন, ধৰ্ম্ম আৰু পুৰুষাৰ্থ, এয়ে হিন্দুদৰ্শনৰ মূল শিক্ষা যেন বোধ হয় আৰু এয়ে পাশ্চাত্যসকলৰ Hedonismৰ নিচিনা শিক্ষা। পূৰ্ব্বেই দেখুৱা হৈছে যে নিৰীশ্বৰবাদী মীমাংসকসকলৰ মতে বেদৰ কৰ্ম্মকাণ্ডই যাই, জ্ঞানকাণ্ড অনাৱশ্যকীয়। বেদবিহিত কৰ্ম্ম কৰিব পাৰিলেই ইহলোকৰ অন্তত জীৱৰ স্বৰ্গাদি সুখ হয়। সাংখ্যবাদীসকলৰ মতে কৰ্ম্মই দুখ নিবৃত্তি কৰিব নোৱাৰে; কাৰণ কৰ্ম্ম বন্ধৰ কাৰণ আৰু কৰ্ম্মফলৰ নিমিত্তে জীৱ ঘূৰি ঘূৰি সংসাৰলৈ আহিব লাগে। বিশেষ স্বৰ্গাদি সুখ স্থায়ী নহয়, আৰু অনন্তকাল স্থায়ী আত্মাৰ পক্ষে অস্থায়ী সুখৰ আৱশ্যক কি? সেইদেখি দুখ নিবৃত্তিৰ সাংখ্যমতে একমাত্ৰ উপায় জ্ঞান- প্ৰকৃতি পুৰুষৰ প্ৰভেদ জ্ঞান—পঞ্চবিংশতি তত্ত্বজ্ঞান। পুৰুষ বা আত্মাৰ প্ৰকৃতিৰ লগত একত্ব-বোধ থাকেই যত দুখ। প্ৰকৃতিৰপৰা পুৰুষৰ ভেদ সাক্ষাৎকাৰ হলেই সকলো সুখ দুখৰ অন্ত পৰে। এই অৱস্থাৰ নামেই কৈৱল্য অৰ্থাৎ পুৰুষৰ বা আত্মাৰ স্বতন্ত্ৰতা বোধ। পুনঃ পুনঃ তত্ত্ব আলোচনাৰ দ্বাৰাই এই অৱস্থা লাভ হয়। এই দৰ্শনত ঈশ্বৰৰ অস্তিত্ব কিম্বা আৱশ্যকতা একেবাৰে নাই; বৰং "ঈশ্বৰাসিদ্ধেঃ" "প্ৰমাণাভাৱান্নতৎ সিদ্ধিঃ" ইত্যাদি সাংখ্য সূত্ৰৰ দ্বাৰাই ঈশ্বৰ এক প্ৰকাৰ অস্বীকাৰ কৰা হৈছে। পতঞ্জলিৰ যোগ শাস্ত্ৰ সাংখ্য তত্ত্বৰ ওপৰত নিৰ্ভৰ কৰে। সাংখ্যৰ কৈৱল্য অৱস্থা আৰু যোগ মাৰ্গৰ "নিৰ্ব্বীজ সমাধি" একে কথা। এই দুই দৰ্শনৰ প্ৰভেদ ইয়াকে দেখা যায় যে পতঞ্জলিয়ে ঈশ্বৰ মানিছিল আৰু চিত্তবৃত্তি নিৰোধ দ্বাৰাই সমাধি সিদ্ধিৰ নামে অন্য অন্য উপায়ৰ লগত ঈশ্বৰৰ প্ৰণিধানও এটি উপায় বুলি তেওঁ উল্লেখ কৰিছে; "ঈশ্বৰ প্ৰণিধানদ্বা"। ইয়াৰ দ্বাৰাই বুজা যায় যে ঈশ্বৰ প্ৰণিধানৰ বাহিৰে আন উপায়ৰ দ্বাৰাইও চিত্তবৃত্তি নিৰোধ কৰি সমাধি সাধন কৰিব পাৰি। এতেকে দেখা যায় মীমাংসা দৰ্শনৰ কৰ্ম্মযোগ, সাংখ্য দৰ্শনৰ জ্ঞানযোগ আৰু পাতঞ্জল দৰ্শনৰ ধ্যানযোগৰ

প্ৰকৃত ঈশ্বৰমুখী নহয়। এনে বুজা যায় যে জ্ঞানযোগৰ কৈবল্য আৰু ধ্যানযোগৰ সমাধি অৱস্থা এক প্ৰকাৰ Psychical exercise- অৰ ফল মাত্ৰ। এনে আত্মা সাক্ষাৎকাৰ কেনে তাক ভাষাত বুজোৱা টান আৰু তেনে অৱস্থা হলেই যে একেবাৰে দুখ নিবৃত্তি হয় তাকো নিশ্চয় কৰি কোৱা টান। ইয়াতে এই মাত্ৰ কব লাগে যে বেদান্ত যদিও ব্ৰহ্ম প্ৰতিপাদক তথাপি বেদান্তৰ নিৰ্গুণ ব্ৰহ্ম মানুহৰ ধাৰণা, জ্ঞান ভক্তি আদিৰ অতীত আৰু বেদান্ত দৰ্শনৰ মূল উদ্দেশ্য নিৰ্গুণ ব্ৰহ্মত স্থিতি বা মোক্ষ লাভ—সাংখ্যবাদীৰ কৈবল্য আৰু যোগ শাস্ত্ৰৰ "নিৰ্ব্বীজ সমাধি" প্ৰায় একে যেন অনুমান হয়। গীতাৰ ঈশ্বৰ কিন্তু সগুণ যাক ভক্তি কৰিব পৰা যায়। এই সবিশেষ বা সগুণ ব্ৰহ্মৰ উপাসনা হে গীতাত শ্ৰেষ্ঠ বোলা হৈছে। গীতাত কৈছে যে নিৰ্গুণ সাধকসকলেও ভগৱানক পায় হয় কিন্তু তেওঁলোকৰ পথ অতি ক্লেশকৰ।

"ক্লেশোহধিকতৰস্তেষামব্যক্তাসক্তচেতসাম্।
অব্যক্তা হি গতিৰ্দুঃখং দেহবদ্ভিৰবাপ্যতে॥" —গীতা।

গীতাই কৰ্ম্মবাদীক কয়, তোমাৰ সকলো কৰ্ম্ম ঈশ্বৰত অৰ্পণ কৰা, ফল কামনা এৰি কৰ্তৃত্ব ভাব এৰি কৰ্ম্ম কৰা, অৰ্থাৎ কৰ্ম্ম সন্ন্যাসৰ আৱশ্যক নাই, কিন্তু কৰ্ম্মফল সন্ন্যাসৰ সম্পূৰ্ণ আৱশ্যক। ঈশ্বৰমুখী হৈ কৰ্ম্ম কৰা। গীতাই সাংখ্যবাদীক কয়, তোমাৰ তত্ত্বজ্ঞান কেৱল অনাদি অনন্ত ভগৱানৰ স্বৰূপ জ্ঞান, তোমাৰ প্ৰকৃতি কিম্বা পুৰুষ স্বতন্ত্ৰ নহয়, উভয়ে ঈশ্বৰৰ অধীন; ঈশ্বৰৰ সাধনা নহলে তোমাৰ কৈবল্য লাভ নহয়। গীতাই যোগ মাৰ্গাৱলম্বীক কয়, ঈশ্বৰত চিত্ত সংযোগেই তোমাৰ যোগৰ মুখ্য উদ্দেশ্য। এই যোগৰ ফল যে নিৰ্ব্বীজ সমাধি বা আত্মা সাক্ষাৎকাৰ মাত্ৰ এনে নহয়, এই যোগৰ ফল ঈশ্বৰৰ সঙ্গ লাভ। মুঠতে দেখা যায় গীতাত কৰ্ম্মযোগ, ধ্যানযোগ, জ্ঞানযোগ সকলো ভক্তিমূলক কৰি ভক্তিযোগৰ প্ৰাধান্য দেখুৱাইছে। এয়ে হে গীতাৰ পূৰ্ণধৰ্ম্মৰ তাৎপৰ্য্য। যদি কোনোবাই বুজে যে গীতাৰ পূৰ্ণধৰ্ম্ম নিৰীশ্বৰবাদী, ঈশ্বৰবাদী সকলো দৰ্শনৰ ভিন্ন ভিন্ন মত মানিছে, আগম, নিগম, প্ৰবৃত্তি, নিবৃত্তি সকলো পন্থৰ ধৰ্ম্ম সত্য বুলি স্থিৰ কৰিছে, তেন্তে সেই বুজা ভুল বুজা। বৈদিক যুগৰ ইন্দ্ৰ, বৰুণ, ঊষা আদি নৈসৰ্গিক শক্তিৰ আৰাধনা (Nature worship), দাৰ্শনিক যুগৰ গূঢ় আধ্যাত্মিক তত্ত্বমূলক ধৰ্ম্ম (Rationalism) অদ্বৈতবাদ আৰু মায়াবাদ (Idealism), বৌদ্ধযুগৰ শূন্যবাদ (Nihilism), পৌৰাণিক যুগৰ ভক্তিযোগ (Imotionalism), তান্ত্ৰিক যুগৰ নিৰৰ্থক ঈশ্বৰবিমুখী ক্ৰিয়াকাণ্ড (Ritualism), আৰু ধৰ্ম্মহীন এতিয়াৰ যুগৰ হিন্দুশাস্ত্ৰৰ দোহাই দি কৰা ভূত, ভৈৰৱ শিল, গছ আদিৰ পূজা, আৰু বিভৎস আচাৰ (Feticism and Sensualism) এই সকলোবিলাক যদি পূৰ্ণধৰ্ম্মৰ অঙ্গ হয় তেন্তে এনে ধৰ্ম্ম মানি চলা অসম্ভৱ।

কোনো কোনোৱে কয় যে পূৰ্ণ হিন্দুধৰ্ম্মৰ এভাগ সত্য বুলি মানি বাকী ভাগ অসত্য বা অসাৰ বুলি ধৰা সাম্প্ৰদায়িকতাৰ দোষ। অভ্ৰান্ত শাস্ত্ৰৰ খাতিৰত পৰস্পৰবিৰুদ্ধ মত আৰু বিশ্বাসৰ প্ৰতি শ্ৰদ্ধাৰ খাতিৰত এনে লোকে পৰস্পৰ বিৰুদ্ধ ধৰ্ম্মমতৰ ভিতৰত এক প্ৰকাৰ মিলন বা সন্ধি স্থাপন কৰিব খোজে। এনে মিলন গোঁজামিলন মাথোন। সত্য ধৰ্ম্মৰ পথত এনে গোঁজামিলন নচলে। যি সত্য ধৰ্ম্ম সি কি নিম্ন অধিকাৰী, কি উচ্চ অধিকাৰী সকলোৰে পক্ষে জাতি বৰ্ণ নিৰ্ব্বিশেষে সত্য আৰু পালনীয়। গীতাত ভিন্ন ভিন্ন পন্থৰ যি মিলন কৰা হৈছে সি গোঁজামিলন নহয়। গীতাই কৰ্ম্মীৰ কৰ্ম্ম, জ্ঞানীৰ জ্ঞান, যোগীৰ ধ্যান ঈশ্বৰমুখী কৰি বিশ্বাস আৰু একশৰণ ভক্তিৰ ধৰ্ম্ম প্ৰচাৰ কৰিছে। গীতাৰ কৰ্ম্ম ঈশ্বৰৰ কৰ্ম্ম, গীতাৰ জ্ঞান ঈশ্বৰৰ জ্ঞান, গীতাৰ ধ্যান ঈশ্বৰৰ ধ্যান। এই অপূৰ্ব্ব মিলনত কৰ্ম্ম, জ্ঞান, ধ্যান সকলো ভক্তিযোগৰ অন্তৰ্গত হৈছে। শেষ ফল—কৰ্ম্ম ভক্তিমূলক, জ্ঞান ভক্তিমূলক, ধ্যান ভক্তিমূলক। ভক্তিবিবৰ্জ্জিত কৰ্ম্ম জ্ঞান আৰু ধ্যান অকৰ্ম্মণ্য, ফুটুকাৰ ফেন। গীতাৰ ভক্তিমূলক বিশ্বাস আৰু শৰণ ধৰ্ম্ম উচ্চৰপৰা নিম্নলৈকে সকলোৰে পক্ষে উপযুক্ত। এয়ে সাৰ্ব্বলৌকিক আৰু সাৰ্ব্বভৌমিক ধৰ্ম্ম।

ধৰ্ম্ম সাধনৰ নানা উপায় নানা মত নানা পন্থা দেখা যায়। শান্তভাব, দাস্যভাব, বীৰভাব, সন্তানভাব আদি ভাব আছে; নিৰাকাৰ পোষক আছে পৌত্তলিক আছে, জড়োপাসক আছে, কঠোৰ তপস্যাব্ৰত ধৰা যোগী আছে, পশুঘাত কৰি পশুৰ ৰক্তৰ দ্বাৰাই পূজা কৰা শক্তিৰ উপাসক আছে, কাপালিক আছে, অঘোৰপন্থী আছে, সহজ ভজন আছে, ৰাতি-খোৱা পূৰ্ণধৰীয়া ভকতো আছে। সকলো পথ সত্য পথ নহয়। সকলো পথ সমান নহয়। কোনো পথ সহজ আৰু সুগম, কোনো পথ দুৰ্গম আৰু বিপদপূৰ্ণ আৰু কোনো পথ ঘৃণনীয়। অনুকৰ ঘৰলৈ যাব লাগিলে তেওঁৰ পদূলিয়েদি বাট-ঘৰৰ তলেদি চৰাঘৰলৈ যাব পাৰি, নাইবা তেওঁৰ চাপৰ বাহিৰৰ তিনিশতীয়া খাল জেই, খিৰ চাপ বগাই, চাপত যোৱা বাঁহৰ আজোৰ খাই, বাঁহৰ চেচুকত পজা চোৰাতৰ মাজেদিও ওলাবগৈ পাৰি; নাইবা তেওঁৰ বাৰীৰ পিছ কালৰ পৰা দুৱাৰ্গ্যজলিৰ ওপৰেদিও যাব পাৰি। সহজ ভাল পথ থকাতো বেয়া পথ অৱলম্বন কৰা উচিত নহয়। বেয়া পথেদি

গলে অনেক সময়ত নানা বাধা, বিপদ, প্ৰলোভন আদিৰ বাবে গম্য ঠাইত উপস্থিত হোৱা অসম্ভৱ হৈ পৰে।

এইদেখি শঙ্কৰ মাধৱ আৰু দামোদৰ এওঁলোকে শিকাইছিল যে ঈশ্বৰত দৃঢ়বিশ্বাস আৰু একান্ত শৰণেই প্ৰকৃত ধৰ্ম্ম আৰু একে সহজ ধৰ্ম্ম পথ। প্ৰজা, ধনী, নিধনী, পণ্ডিত, মূৰ্খ গৃহী, উদাসীন সাধক, অসাধক, আৰ্য্য, ম্লেচ্ছ, ব্ৰাহ্মণ, চণ্ডাল সকলোৰে নিমিত্তে এই বিশ্বাসৰ ধৰ্ম্ম এই একশৰণ ধৰ্ম্ম উপযুক্ত আৰু সৰ্ব্বতোভাৱে আৱশ্যকীয়। এই ধৰ্ম্মৰ ঈশ্বৰ সাধনাৰ উপায় দাস্য ভাৱ, অৰ্থাৎ গীতাৰ উপদিষ্ট ভাৱে, সকলো ঈশ্বৰত সমৰ্পণ, ঈশ্বৰৰ প্ৰিয় কাৰ্য্য সাধন, অপ্ৰিয় কাৰ্য্য বৰ্জ্জন, ঈশ্বৰৰ নামগুণ শ্ৰৱণ কীৰ্ত্তন, নাম ৰূপ স্মৰণৰ দ্বাৰাই নিত্য তেওঁৰ উপাসনা। শ্ৰৱণ কীৰ্ত্তনাদিৰ দ্বাৰাই বহিৰঙ্গ সাধনা আৰু ৰূপচিন্তাৰ দ্বাৰাই অন্তৰঙ্গ সাধনা।

"কৰ্ণে কথা মনে ৰূপ মুখে তযু নাম।
ৰহোক সদাই ডাকি বোলা ৰাম ৰাম ॥"

মহাপুৰুষসকলে বুজাইছিল যে ধ্যান ধাৰণা যজ্ঞ পূজা আদি সত্য ত্ৰেতা দ্বাপৰাদি যুগৰ সাধনাৰ উপযুক্ত ধৰ্ম্ম সাধনাৰ উপায় আছিল অৰ্থাৎ সেইবিলাক বৰ্ত্তমান যুগৰ পাপমতি লোকৰ পক্ষে অনুপযুক্ত। শ্ৰৱণ কীৰ্ত্তন স্মৰণৰ দ্বাৰায়ে ব্ৰহ্মানুভূতি সম্ভৱ হয়। শ্ৰদ্ধা ভক্তি সহকাৰে নিত্য শ্ৰৱণ কীৰ্ত্তন স্মৰণ কৰিব পাৰিলে অলপ কালৰ ভিতৰতে হৃদয়ত ঈশ্বৰ প্ৰকাশিত হয়। এনে আশ্বাসপূৰ্ণ উপদেশৰপৰা বাস্তৱিক সংসাৰীৰ মনত আশাৰ সঞ্চাৰ হয়, হৃদয়ত বল হয়। প্ৰাচীন কালত আৰ্য্য ঋষিয়ে এইদৰে বিশ্ববাসী সকলোকে আশ্বাস দি কৈছিল :—

"শৃণ্বন্তু বিশ্বেঽমৃতস্য পুত্ৰা
আ যে ধামনি দিব্যানি তস্থুঃ ॥
বেদাহমেতং পুৰুষং মহান্ত—
মাদিত্য বৰ্ণং তমসঃ পৰস্তাৎ ॥
তমেৱ বিদিত্বাতিমৃত্যুমেতি
নান্যঃ পন্থা বিদ্যতেঽয়নায় ॥"

দিব্য ধাম বাসী যত অমৃত সন্তান সবে
শুনা শুনা হই সাৱধান।
জানিছোঁ নিশ্চয় মই তিমিৰ অতীত সেই
জ্যোতিৰ্ম্ময় পুৰুষ মহান্ ॥
জানিলে মানৱে যাক বিধিৰ কিঙ্কৰ গুচে,
নাথাকিব মৰণৰ ভয়।
কহিলোঁ ধ্ৰুৰূপ সাৰ, মৃত্যু ভয় তৰিবৰ
আন পন্থা আৰু নাই নাই ॥

মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মৰ আদৰ্শি মূল গ্ৰন্থ শ্ৰীমদ্ভাগৱত। ব্যাসদেৱে জ্ঞানপন্থ তন্ন তন্ন কৰি ব্ৰহ্মমীমাংসা কৰি মনত শান্তি নাপালে। শেষত মহৰ্ষি নাৰদৰ উপদেশ মতে সগুণ ঈশ্বৰৰ মহিমা লীলা বৰ্ণনা কৰি ভাগৱত গ্ৰন্থ লিখি শান্তি লাভ কৰিলে। শুকান জ্ঞানতকৈ ৰসাল ভক্তিৰ শ্ৰেষ্ঠতাৰ প্ৰমাণ ইয়াতকৈ আৰু কি হ'ব পাৰে? সাত দিনৰ অন্তত সাপৰ কামোৰৰ পৰা নিশ্চয় মৰিব বুলি জানি পৰীক্ষিত ৰজাই আন শাস্ত্ৰ কাতি কৈ জীৱনৰ শেষ সময়ত এই ভক্তি প্ৰৱৰ্ত্তক অমূল্য শাস্ত্ৰ ভাগৱত শুকদেৱৰ মুখৰপৰা শুনিছিল। ভাগৱতোক্ত শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্মৰ এক অঙ্গ অৰ্থাৎ শ্ৰৱণৰ দ্বাৰাইহে ধৰ্ম্ম সাধন কৰি মোক্ষপদ লাভ কৰাই ৰজা পৰীক্ষিতৰ উদ্দেশ্য আছিল। শুকদেৱ নিজে মহা জ্ঞানী আৰু নিৰ্গুণ ব্ৰহ্মৰ সাধক আছিল, কিন্তু তেওঁ ভাগৱত পঢ়ি ভক্তিৰসত মজিছিল।

"শুক নিগদতি পৰীক্ষিত, যদি আমি নিৰ্গুণত স্থিত,
তথাপি উত্তমশ্লোকৰ মহিমা গুণে।
কৰিলেক ৰশ্য মোৰ চিত্ত ভাগৱত গ্ৰন্থ বিপৰীত,
পৰম আনন্দে পঢ়িলোঁ মই আপোনে ॥
তোমাত কহিবো সেহি শাস্ত্ৰ তমি আৰু শুনিবাৰ পাত্ৰ
মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি।
ই শাস্ত্ৰত শ্ৰদ্ধা মাত্ৰকত মুকুন্দৰ পাদ পঙ্কজত
অতি শীঘ্ৰে ভাৱ হোৱে জানা সতীমতি ॥
—নাম ঘোষা।

উত্তমশ্লোকৰ অৰ্থ ঈশ্বৰ। ভাগৱত গ্ৰন্থৰ উদ্দেশ্য এই উত্তমশ্লোকৰ মহিমা প্ৰকাশ কৰা। সগুণ ঈশ্বৰৰ মহিমা গুণ কীৰ্ত্তন কৰি ঈশ্বৰ ভজনা কৰাই ভাগৱতী ধৰ্ম্ম। এই মহাধৰ্ম্মৰ মন্ত্ৰ মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ ৰচিত ভাগৱতৰ প্ৰত্যেক অধ্যায়ৰ শেষতে লিখি ভক্তিধৰ্ম্ম প্ৰৱৰ্ত্তাইছিল। বিপ্ৰপত্নী প্ৰসাদ লীলা অধ্যায়ৰ শেষত তেওঁ লিখিছে—

"শ্ৰৱণ কীৰ্ত্তনে যিটো অনুক্ষণে
ভজে মহা ভক্তি ভাৱে।
সিসি মহাজনে সুখে অপ্ৰয়াসে
হাততে মুকুতি পাৱে।
জানি ইটো তত্ত্ব ঈশ্বৰ কৃষ্ণত
হুয়োক একশৰণ।
গোৱা গুণ গীত কৰি এক চিত্ত
ৰক্ষিও যমৰ ৰণ।
কলিত নামেসে কলিত নামেসে
কলিত নামেসে গতি।
নাম এৰি আন গতি নাই নাই
নাই, জানা প্ৰতি প্ৰতি।"

এই পদ কেইফাকিতে ধৰ্ম্মৰ চুম্বক মৰ্ম্ম পোৱা যায়। অলপ কথাৰ দ্বাৰাই এনেকৈ সম্পূৰ্ণ ভাব প্ৰকাশ কৰাৰ ক্ষমতা মহাপুৰুষ শঙ্কৰৰ হে আছিল। ওপৰৰ পদ কেইটাৰ এটি শব্দও পেলনীয়া নহয়। এইদৰে পুথিৰ এঠাইত নহয় পাতে পাতে ভিন ভিন ভাষাৰে হৰিনাম ধৰ্ম্ম জনসমাজত প্ৰচাৰ কৰাই তেওঁৰ উদ্দেশ্য আছিল। তেওঁৰ গুণ সুঁৱৰি সুঁৱৰি তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱে লিখিছিল :—

"হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
হৰি নামৰত্ন বেহায়া জগতে
চলয় বৈকুণ্ঠ পুৰী ॥"

পূৰ্ব্বে কোৱা হৈছে যে গীতাৰ একশৰণ আৰু ভাগৱতৰ সৎসঙ্গ মহাপুৰুষীয়া ধৰ্ম্মই লৈছে। এই সৎসঙ্গ সম্বন্ধে ভাগৱতত ভগৱানে উদ্ধৱক উপদেশ দিছে :—

"প্ৰায়েন ভক্তিযোগেন সৎসঙ্গেন বিনোদ্ধৱ।
নোপায়ো বিদ্যতে সম্যক প্ৰায়ণংহি সতামহং ॥
"ন ৰোধয়তি মাং যোগো ন সাংখ্যং ধৰ্ম্ম এৱ চ।
ন স্বাধ্যায়স্তপস্ত্যাগো নেষ্টাপূৰ্ত্তং ন দক্ষিণা ॥
ব্ৰতানি যজ্ঞশ্চন্দাংসি তীৰ্থানি নিযমা যমাঃ।
যথা ৰৱন্ধে সৎসঙ্গঃ সৰ্ব্ব সঙ্গাপহোহি মাং ॥"

ওপৰোক্ত প্ৰকাৰে সাধুসঙ্গৰ উপকাৰিতা বৰ্ণনা কৰি ভগৱানে উদ্ধৱক উপদেশ দিছে,—"হে উদ্ধৱ, তুমি শ্ৰৌত স্মাৰ্ত্ত কৰ্ম্মবিলাকলৈ আস্থা নকৰি সৰ্ব্বতোভাৱে মোৰ শৰণাগত হোৱা, মোৰ পৰাই তুমি নিৰ্ভয় হবা।" এই উপদেশ আৰু গীতাত অৰ্জ্জুনৰ প্ৰতি ভগৱানৰ উপদেশ একে। গীতাত ভগৱানে কৈছে :—

"সৰ্ব্ব ধৰ্ম্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্ব পাপেভ্যো মোক্ষয়িষ্যামি মা শুচ ॥"

ভাগৱতত ভগৱানে উদ্ধৱক পৰম জ্ঞানৰ কথা কৈও উপদেশ দিছে :—

"তস্মাত্ত্বমুদ্ধৱোৎসৃজ্য চোদনাং প্ৰতিচোদনাং।
প্ৰবৃত্তঞ্চ নিবৃত্তঞ্চ শ্ৰোতব্যং শ্ৰুতমেৱ চ ॥
মামেকমেৱ শৰণমাত্মনং সৰ্ব্ব দেহিনাং।
যাহি সৰ্ব্বাত্মভাৱেন ময়াস্যাহ্যকুতোভয়ঃ ॥"

ইয়াৰ অন্বয় এই :—তস্মাৎ হে উদ্ধৱ, ত্বং চোদনাং শ্ৰুতিং প্ৰতিচোদনাং স্মৃতিং প্ৰবৃত্তং বিহিতং কৰ্ম্ম নিবৃত্তং অবিহিতং শ্ৰোতব্যং শ্ৰুতং এৱচ সৰ্ব্বং উৎসৃজ্য অনাদৃত্য সৰ্ব্বাত্মভাৱে সৰ্ব্বদেহিনাং আত্মানং একং এৱ মাং শৰণং যাহি গচ্ছ। ময়া এৱহিত্বং অকুতোভয়ঃ স্যাঃ ভৱিষ্যসি।

মীমাংসকবিলাকৰ বেদবিহিত কৰ্ম্মকাণ্ডৰ বিষয়ে শিক্ষা আৰু জীৱহিংসা কৰি দেৱ দেৱীৰ পূজা কৰা বিষয়ে ভাগৱতত কি কৈছে দেখা যাওক।

"নতে মামঙ্গ জানন্তি হৃদিস্থং যাহদং যতঃ।
উক্থশস্ত্ৰা হ্যসুতৃপো যথা নীহাৰ চক্ষুষঃ ॥
তেমে মতমবিজ্ঞায় পৰোক্ষং বিষয়াত্মকাঃ।
হিংসায়াং যদি ৰাগ স্যাদ যজ্ঞ এৱ ন চোদনা ॥
হিংসা বিহাৰা হ্যালব্ধৈঃ পশুভিঃ স্বসুখেচ্ছয়া।
যজন্তে দেৱতা যজ্ঞৈঃ পিতৃণ ভূতপতীন খলাঃ ॥
স্বপ্নোপম মমুং লোকমসন্তং শ্ৰৱণপ্ৰিয়ং।
আশিষো হৃদি সঙ্কল্প্য ত্যজন্ত্যৰ্থান্ যথা ৱণিক্ ॥
ৰজঃ সত্ত্ব তমো নিষ্ঠা ৰজঃসত্ত্ব তমোজুসঃ।
উপাসতে ইন্দ্ৰ মুখ্যান দেৱাদীন্ন তথৈৱ মাং ॥
ইষ্টেহ দেৱতা যজ্ঞৈৰ্গত্বা ৰংস্যামহে দিৱি।
তস্যান্ত ইহ ভূয়ান্ম মহাশালা মহাকুলাঃ ॥"
এৱং পুষ্পিতয়া ৱাচা ব্যাক্ষিপ্ত মনসাং নৃণাং।
মানি নাস্ৰাতি লুব্ধানাং মদ্বাৰ্ত্তাপি নৰোচতে ॥

ইয়াৰ তাৎপৰ্য্য এই :—এন্ধাৰে চাকি ধৰিলে যেনেকৈ ওচৰৰ বস্তুকো নেদেখি সেই প্ৰকাৰে কৰ্ম্ম মাৰ্গ অৱলম্বন কৰি অন্ধ হৈ ভোগবিলাষী লোকবিলাকে, অন্তৰ্যামীৰূপে নিজ হৃদয়ত প্ৰতিষ্ঠিত থকা ঈশ্বৰক তকিব নোৱাৰে। এইবিলাক লোকে ঈশ্বৰৰ অভিপ্ৰায় নুবুজি হিংসাদি কাৰ্য্যত আসক্ত হয় আৰু ক্ৰমে হিংসা কাৰ্য্যই সিহঁতৰ প্ৰিয় হৈ উঠে। সেই নিমিত্তে এই খল প্ৰকৃতিৰ লোকবিলাকে যজ্ঞত বধ কৰা পশুবিলাকৰ মাংসৰ দ্বাৰাই নিজৰ তৃপ্তি সাধন কৰে আৰু সেই যজ্ঞৰ দ্বাৰাই পিতৃলোক দেৱতা আৰু ভূতপতিবিলাকৰ পূজা কৰে। এনেবিলাক লোকে শুনোতে ভাল লগা স্বপ্নোপম মায়াময় ক্ষণস্থায়ী স্বৰ্গাদি পৰলোক সুখ আৰু ঐহিক সুখ বাঞ্ছা কৰি মূৰ্খ বণিকৰ নিচিনাকৈ মূল সম্বল পৰমাৰ্থ তত্ত্ব দলিয়াই অৰ্থাৎ কাঞ্চন দি কাচ লয়। সত্ত্বাদি গুণত্ৰয়ৰ অধীন মানুহে ত্ৰিগুণময় ইন্দ্ৰাদি দেৱতাবিলাকৰ আৰাধনা কৰে কিন্তু গুণাতীত পৰব্ৰহ্মৰ আৰাধনা নকৰে। এই জীৱনত যজ্ঞাদিৰ অনুষ্ঠান কৰি দেৱতাবিলাকৰ পূজা কৰি মৰণৰ পাচত স্বৰ্গলোকত অতুল ঐশ্বৰ্য্য ভোগ কৰিব, তাৰ পাছত পুণ্য ক্ষয় হলে পুনৰ সংসাৰলৈ আহি শ্ৰেষ্ঠকুলত জন্ম ধৰি বিপুল ঐশ্বৰ্য্যৰ অধিকাৰী হৈ সুখে থাকিব এনেকুৱা ৰমণীয় বেদবাক্যৰ প্ৰলোভনত জীৱবিলাক দৃঢ়ভাৱে আসক্ত হয়, সিহঁতৰ মনত ভগৱানে অলপো ঠাই নেপায়।

ভাগৱতত জীৱহিংসা কৰি দেৱদেৱীৰ উদ্দেশ্যে কৰা যজ্ঞাদি ক্ৰিয়াৰ এনে প্ৰকাৰ নিন্দা স্পষ্টভাৱে থকাতো ভাগৱত অৱলম্বন কৰি ধৰ্ম্মশিক্ষা দিয়া

কোনো কোনো অসমীয়া বৈষ্ণৱ গুৰুৱে কেনেকৈ শিষ্যক শাক্ত মন্ত্ৰ দি, জীৱ হিংসা কৰি বলি কাটি দেৱদেৱী পূজা কৰিবলৈ বিধি বা অনুমতি দিয়ে ইয়াকেহে বুজা টান।

শব্দব্ৰহ্ম বেদৰ প্ৰকৃত অৰ্থ নাজানি নিজ নিজ ৰুচি অনুসাৰে মায়াৰ প্ৰভাৱত ভিন ভিন লোকে শ্ৰেয়ঃ সাধনৰ বিবিধ উপায় নিৰ্ণয় কৰিছে। সেই-দেখি ভাগৱতত কৈছে :—

"মন্মায়া মোহিতধিয়ঃ পুৰুষাঃ পুৰুষৰ্ষভ।
শ্ৰেয়ো বদন্ত্যনেকান্তং যথা কৰ্ম্ম যথা ৰুচি॥"

ঐশ্বৰ্য্যকামী মীমাংসক পণ্ডিতসকলে বুধি দিয়ে "স্বৰ্গ কামো যজেত," কোনো কোনোৱে অণিমাদি আঠ প্ৰকাৰ ঐশ্বৰ্য্যলাভ কৰাকে শ্ৰেষ্ঠ সাধন বুলি মানে। কোনোৱে কাম স্ত্ৰী সম্ভোগ আদিকে জীৱনৰ থাই কৰ্ম্ম বুলি মানে। কোনো কোনো দেহাত্মবাদী নাস্তিকৰ মতে "ভস্মীভূতস্য দেহস্য পুনৰাগমনং কুতঃ। তস্মাৎ সৰ্ব্ব প্ৰযত্নেন ঋণং কৃত্বা ঘৃতং পিবেত॥" অৰ্থাৎ *Eat, drink and be merry*। প্ৰকৃততে কিন্তু ক্ষণস্থায়ী সামান্য সুখ কামনা নকৰি নিত্যা-নন্দক বিচৰাই একমাত্ৰ কৰ্ত্তব্য। ভক্তি নহলে নিত্যানন্দ ভগৱানক লাভ কৰা নাযায়। ভগৱদ্ভক্তি হলে জীৱৰ একেবাৰে অভাৱ নেথাকে। লৌকিক বিষয় সম্ভোগলৈ বৈৰাগ্য হলেও ভক্তৰ নিত্য অলৌ-কিক সম্ভোগ হয়। অণিমাদি ঐশ্বৰ্য্য ভক্ত সাধকৰ পিছে পিছে ফুৰে। এয়ে গীতাৰো উপদেশৰ মৰ্ম্ম। ভাগৱত আৰু গীতা দুয়োখনি গ্ৰন্থতে ভক্তিযোগৰ প্ৰাধান্য দেখুৱা হৈছে, সেই বাবে এই দুইখনিয়েই বৈষ্ণৱ সমাজৰ মূল ভেটি।

ভাগৱত ধৰ্ম্ম বা ভাগৱতী ধৰ্ম্ম কি এই বুলি নিমি ৰাজাই প্ৰশ্ন কৰাত নৱসিদ্ধৰ জেষ্টজন কবিয়ে ৰাজাক উত্তৰ দিছে :—

"কায়েন বাচা মনসেন্দ্ৰিয়ৈৰ্ব্বা বুদ্ধ্যাত্মনা
বানুসৃতস্বভাৱাৎ।
কৰোতি যদ্ যৎ সকলং পৰস্মৈ নাৰায়ণায়েতি
সমৰ্পয়েত্তৎ॥

ভয়ং দ্বিতীয়াভি নিৱেশতঃ স্যাদীশাদপেতস্যঃ
বিপৰ্য্যয়োঽস্মৃতি।
তৎ কৰ্ম্ম সংকল্প বিকল্পকং মনো বুধো
নিৰুদ্ধ্যাদভয়ং ততঃস্যাৎ॥

শৃণ্বন্ সুভদ্ৰাণি ৰথাঙ্গপাণে জন্মানি
কৰ্ম্মাণি চ যানি লোকে।
গীতানি নামানি তদৰ্থকানি গায়ন্ বিলজ্জো
বিচৰেদসঙ্গঃ॥"

দেহ, বাক্য, মন, ইন্দ্ৰিয়, বুদ্ধি, চিত্ত, নিজ সংস্কাৰ বা স্বভাৱ অনুসাৰে যি যি কৰ্ম্ম কৰা হয় সকলো সেই পৰাৎপৰ পৰমেশ্বৰক সমৰ্পণ কৰা উচিত। ঈশ্বৰবিমুখ লোকবিলাকে আত্মভাৱ পাহৰি দেহাদি নশ্বৰ বস্তুত আসক্তি কৰে আৰু সেই বাবেই নানা প্ৰকাৰ শোক মোহ আদিৰ পৰা ভয় পায়। এতেকে যাৰ মায়াৰ গুণত এনে হয় সেই পৰমেশ্বৰকে বুদ্ধিমানবিলাকে সাক্ষাৎ গুৰু বুলি ভাবি অব্যভিচাৰী ভক্তিৰ দ্বাৰাই ভজনা কৰে। চক্ৰপাণি শ্ৰীহৰিৰ সৰ্ব্বপাপনাশন, জন্ম, কৰ্ম্ম, নাম, গুণ গীত আদি সামাজিক লাজ এৰি কীৰ্ত্তন কৰি সাধু ভক্তবিলাকে অনাসক্তভাৱে সংসাৰত ফুৰে। এই ভাগৱতী ধৰ্ম্মই শঙ্কৰ, মাধৱ, দামোদৰৰ দ্বাৰাই প্ৰচাৰিত একশৰণ নাম কীৰ্ত্তন ধৰ্ম্ম।

এই ধৰ্ম্ম প্ৰচাৰৰ নিমিত্তে ভাগৱত, গীতা, আৰু পদ্মপুৰাণৰ সহস্ৰনাম এই তিনিখনি মূল শাস্ত্ৰ অৱ-লম্বন কৰি মহাপুৰুষ দুজনে আৰু তেওঁলোকৰ যুগৰ কেবাজনো বৈষ্ণৱধৰ্ম্ম শিক্ষকে সংস্কৃত আৰু অসমীয়া ভাষাত পুথি লিখিছিল। এইবিলাক পুথিৰ দাই-কেইখন আৰু লেখকৰ নাম যিমান দূৰ জনা যায় তলত দিয়া হ'ল।

শ্ৰীশঙ্কৰদেৱ—ভাগৱতৰ প্ৰথম আৰু দ্বিতীয় স্কন্ধ, আৰু তৃতীয় স্কন্ধৰ অনাদিপাতন, ষষ্ঠ স্কন্ধৰ অজা-মিলোপাখ্যান, অষ্টম স্কন্ধ, দশম স্কন্ধৰ আগছোৱা, একাদশ আৰু দ্বাদশ স্কন্ধ, নিমি নৱসিদ্ধ সংবাদ, কীৰ্ত্তন, ভক্তিপ্ৰদীপ, ভক্তি ৰত্নাকৰ (সংস্কৃত), গুণ-মালা, ভটিমা, বৰগীত।

শ্ৰীমাধৱদেৱ—নামঘোষা, ভক্তিৰত্নাৱলী, নাম-মালিকা, জন্মৰহস্য, ভটিমা, বৰগীত।

শ্ৰীভট্টদেৱ—কথা গীতা, কথা ভাগৱত, ভক্তি বিবেক (সংস্কৃত)।

শ্ৰীসুকবিশেখৰ বা অনন্ত কন্দলী—ভাগৱতৰ শেষ দশম, ষষ্ঠ স্কন্ধৰ বৃত্ৰাসুৰবধ, সহস্ৰনাম বৃত্তান্তৰ পদ (কীৰ্ত্তন পুথি ভুক্ত), শৰণ সংহিতা (সংস্কৃত)।

শ্ৰীগোবিন্দ মিশ্ৰ—গীতাৰ পদ, ভক্তিবিবেকৰ পদ।
শ্ৰীকবিচন্দ্ৰ মিশ্ৰ—হৰিকীৰ্ত্তন গৌৰৱ (সংস্কৃত)।
শ্ৰীৰামচৰণ ঠাকুৰ—ভক্তিৰত্নাকৰৰ পদ।
শ্ৰীভাগৱত মিশ্ৰ—সাত্বত তন্ত্ৰৰ পদ।
শ্ৰীসাৰ্ব্বভৌম ভট্টাচাৰ্য্য—পদ্মপুৰাণ স্বৰ্গখণ্ড ৰহস্যৰ পদ।
শ্ৰীৰাম—ভক্তি চন্দ্ৰ মালা।

এই তালিকাত ৰামায়ণ মহাভাৰত আৰু নাট আদি ধৰা হোৱা নাই। চাবলৈ গলে এই যুগৰ অসমীয়া সাহিত্যই এই নামকীৰ্ত্তন ধৰ্মমূলক।

মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্ম্মমত সম্পৰ্কে আমাৰ যি বুজা হৈছে তাক সংক্ষেপ ভাৱে লিখা হ'ল। সকলো আৱশ্যকীয় কথাৰ উল্লেখ হৈছে বুলি আমি সাহকৈ কব নোৱাৰো। কোনো দোষ দেখিলে পাঠকসকলে নিজগুণে আমাক ক্ষমা কৰিব। আমাৰ বিশ্বাসমতে এই প্ৰবন্ধত যি ধৰ্ম্মমতৰ সংক্ষেপ মৰ্ম্ম লিখা হ'ল সেই ধৰ্ম্মমত অসমীয়া বৈষ্ণৱ সাধাৰণৰে ধৰ্ম্মমত বুলিলে একো ভুল নহয়। কাৰণ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বাহিৰে আসামৰ আন জন যাই ধৰ্ম্মপ্ৰৱৰ্ত্তক দামোদৰ দেৱৰ প্ৰচাৰিত ধৰ্ম্মও এয়ে আছিল। দামোদৰ দেৱেও একশৰণ নাম-কীৰ্ত্তন ধৰ্ম্মকে লোকক শিক্ষা দিছিল। তেওঁ নিজে লিখা কানো পুথি নাথাকিলেও তেওঁৰ চৰিত্ৰ লিখক ৰামৰায় আৰু তেওঁৰ প্ৰধান আৰু প্ৰিয় শিষ্য ভট্টদেৱৰ পুথি চালে এই বিষয়ে কাৰো সংশয় থাকিব নেলাগে। দামোদৰ দেৱৰ পৰৱৰ্ত্তী সময়ত কোনো কোনো বৈষ্ণৱ আচাৰ্য্যই তান্ত্ৰিক ধৰ্ম্ম শিক্ষা দিবলৈ আৰম্ভ কৰাৰ বিশেষ কাৰণ আছিল। বিদেশী শান্তিপুৰীয়া ভট্টাচাৰ্য্যৰ ঘৰে ৰজাক আৰু লাহে লাহে তেওঁৰ ঘাই অমাত্যসকলক শিষ্য কৰা দেখিয়েই যে উজনীয়া দামোদৰ পন্থী কোনো কোনো গোসাঁইয়ে পূৰ্ব্বৰ নিয়ম লৰচৰ কৰি ধৰ্ম্মশিক্ষা সময় উপযোগী বা পাত্ৰ উপযোগী কৰিবলৈ চেষ্টা কৰিছিল এই কথা সহজে বুজিব পাৰি। অনুমান তেতিয়াৰপৰাই এওঁলোকে শাক্তক শক্তি মন্ত্ৰ আৰু বৈষ্ণৱক বৈষ্ণৱ মন্ত্ৰ দিবলৈ ধৰে। বোধকৰো তেনে কৰাৰ বাবেই তেওঁলোক ৰাজানুগ্ৰহত বিশেষ মান্যৱন্ত আৰু আঢ্যৱন্ত হৈছিল। বাস্তৱিক দেশীয় জাতীয় ভাৱৰপৰা বিবেচনা কৰি চালে তেওঁলোকে এনে নীতি অৱলম্বন নকৰা হলে বিদেশীয় ৰজানী ধৰ্ম্মগুৰুৰ হে আধিপত্য দেখিলো-হেঁতেন। কিন্তু সেই বুলি এইসকল পৰৱৰ্তী আচাৰ্য্যই শিক্ষা দিয়া পৰিৱৰ্ত্তিত ধৰ্ম্মমতেই যে মূলত দামোদৰ দেৱৰ ধৰ্ম্মমত আছিল এনে স্থিৰ কৰা আমাৰ বিশ্বাসেৰে ভুল। শঙ্কৰ, মাধৱৰ নিচিনাকৈ দামোদৰ দেৱেও কোচ ৰজাৰ সভাত নিৰ্ভয় ভাৱে একশৰণ নাম-কীৰ্ত্তন ধৰ্ম্মৰ গৌৰৱ ৰক্ষা কৰিছিল। কোচ ৰজাই দামোদৰ দেৱক দুৰ্গাপূজা, গঙ্গাস্নান, যাগ যোগ ব্ৰত আদি এৰাৰ কাৰণ শোধাত দামোদৰ দেৱে উত্তৰ দিলে :—

"তাৰ্থক সেৱন দেৱী উপাসন
ধৰ্ম্ম কৰ্ম্ম যাগ যোগ।
ৰাম কৃষ্ণ নামে সকলে সিজয়
নলাগে একো উদ্যোগ॥
* *
এতেকেসে ৰাম কৃষ্ণ নাম বিনে
নজানোহো আমি আন।
কৃষ্ণৰ নামত ধৰ্ম্ম কৰ্ম্ম যত
সবাৰ আশ্ৰয় স্থান॥"

—ৰামৰায় দ্বিজ কৃত গুৰুলীলা।

ইয়াকে কৈ সন্তুষ্ট নহৈ দামোদৰ দেৱে অতি দৃঢ়প্ৰতিজ্ঞ ভাৱে আকৌ ৰজাক কলে :—

"পঞ্চভূত দেহা যাৱত থাকয়
তাৱত নাম নেৰিবোঁ।
ইদেহ পৰিলে যেহি যোনি পাওঁ
জন্মে জন্মে নাম লৈবোঁ॥"

যি ধৰ্ম্মবীৰৰ নামধৰ্ম্মত ইমান শ্ৰদ্ধা দৃঢ় আসক্তি আছিল তেওঁ যে সেই ধৰ্ম্মৰ বাহিৰে আন শিক্ষা লোকক দিছিল এনে মীমাংসা কৰা কিমান দূৰ সঙ্গত বুদ্ধিমান পাঠকসকলে বিবেচনা কৰি চাব।

উপসংহাৰত আমাৰ বক্তব্য এই যে যদিও পৰৱৰ্ত্তী সময়ত মহাপুৰুষীয়া ঠাকুৰীয়া, দামোদৰী, হৰিদেৱ-পন্থী আদি সম্প্ৰদায় আৰু বামুণীয়া পথ, নিকা পথ, কালজাৰ পথ আদি পন্থৰ সৃষ্টি হৈ চকৰিৰ ভিতৰত চকৰি হৈছিল, আদিতে মূল ধৰ্ম্মমত কিন্তু এটিহে আছিল। সেই বাবে এতিয়াও সেই মূল ধৰ্ম্মত ধৰি ভিতৰৰ অনাৱশ্যক চকৰিবিলাক গুচাই বাহিৰৰ ঘাই চকৰি ৰাখি তাক ঘঁহি পিহি উজ্বল কৰি তাৰ মাজত সকলো অসমীয়া বৈষ্ণৱ সোমালেই দেশৰ মঙ্গল হয় আৰু মূল ধৰ্ম্ম প্ৰৱৰ্ত্তক মহাপুৰুষসকলৰ, গৌৰৱ ৰক্ষা কৰা হয়। সকলো চিন্তাশীল অসমীয়াই এই বিষয়ে নিজ কৰ্ত্তব্য বুজি কাম কৰিব এয়ে আমাৰ আশা। এইটো সকলোৱেই মনত ৰাখিব লাগে যে পৰমেশ্বৰৰ বিশেষ কৃপা আৰু আমাৰ পৰম ভাগ্যগুণেহে এনে বিশুদ্ধ ঈশ্বৰমুখী উদাৰ সত্য ধৰ্ম্ম আমাৰ দেশত মহা-পুৰুষসকলৰ দ্বাৰাই প্ৰৱৰ্ত্তিত হৈছিল। —ইতি *

---

* এই সুলিখিত প্ৰবন্ধটো বৰপেটাৰ চবডিভিজনেল অফিচৰ, একষ্ট্ৰা এচিষ্টেণ্ট কমিশ্যনৰ প্ৰজ্ঞাৎপদ বন্ধু শ্ৰীযুত কনকলাল বৰুৱাৰ দ্বাৰাই ৰচিত। "বাঁহী"ত ই অলপ অলপকৈ ওলাইছিল। বৰুৱা ডাঙৰীয়াৰ অনুমতি লৈ আমি তাক আমাৰ কিতাপৰ ভিতৰুৱা কৰি, তেওঁক আমাৰ অশেষ কৃতজ্ঞতা জনালোঁ। —গ্ৰন্থকাৰ।

তত্ত্ব-কথা

ধৰ্ম্ম আৰু ঈশ্বৰতত্ত্ব

ঈশ্বৰৰ বাহিৰে, ধৰ্ম্মৰ বাহিৰে মানুহৰ জীৱনত কি পাঠ্য আছে নাজানো। ঈশ্বৰৰ পৰা আঁতৰি, ধৰ্ম্মৰপৰা আঁতৰিহে যে আমাৰ জীৱন অপাঠ্য, অধহীচ হৈ পৰিছে তাত আমাৰ সন্দেহ নাই। দিনৌ সকলো সময়তে সকলো কাৰ্য্যতে যদি আমাৰ জীৱনত ঈশ্বৰৰ সত্তা উপলব্ধি কৰি চলিব পাৰিলোহেঁতেন,

ওঁ য একোহৱৰ্ণো বহুধা শক্তিযোগাৎ
ৱৰ্ণাননেকান্নিহিতাৰ্থো দধাতি।
ৱি চৈতি চান্তে ৱিশ্বমাদৌ স দেৱঃ
স নো বুদ্ধ্যা শুভয়া সংযুনক্তু॥

অৰ্থাৎ যি এক আৰু বৰ্ণহীন, আৰু যি প্ৰাণীসকলৰ প্ৰযোজন জানি বহু প্ৰকাৰ শক্তিযোগৰ দ্বাৰাই বিবিধ কাম্য বস্তু বিধান কৰিছে, সমুদায় ব্ৰহ্মাণ্ড আদ্যন্তমধ্য যাত ব্যাপ্ত হৈ আছে, যি আমাক শুভ বুদ্ধি প্ৰদান কৰিছে, সেই দীপ্যমান পৰমেশ্বৰক উপলব্ধি কৰি চলিব পাৰিলোহেঁতেন, তেন্তে আমাৰ কিহৰ চিন্তা?

ঈশ্বৰক পিছত থৈ আগবাঢ়ি গৈ ধৰ্ম্মক অকামিলা বস্তু বুলি অৱহেলা কৰিহে আমি মৰিছো। আমাৰ স্কুল-কলেজতে (Godless education) ঈশ্বৰ আৰু ধৰ্ম্মবিবৰ্জ্জিত শিক্ষাই, যৰত ধৰ্ম্ম, নীতি, সদাচাৰবিহীন শিক্ষা বা কু-শিক্ষাই আমাৰ জীৱন ফোপোলা কৰিলে। আমি ধৰ্ম্মক আৰু ঈশ্বৰক বুঢ়াকেইটা আৰু বুঢ়ীকেইজনীৰ ভাগত দি, নিজৰ গাটো পাতলাই নৈ জপিয়াই হাঁহি ফুৰিছোঁ। হায়! মহাপুৰুষ মাধৱদেৱৰ ভাগিনিয়েক ৰামচৰণ ঠাকুৰে গাইছিল,—

জেকা ভাই, কিসৰ হৰিষ তোৰ?
চক্ষুৰে নেদেখ, বুঢ়াক হাসস
তোক পাইলে কাল-চোৰ॥
আছিলি ছৱাল ভৈল যুৱা কাল
কেনে অন্ত নাহি মন।
আপদৰ বন্ধু যতনে নৈয়ো
ৰাম নাম মহাধন॥
আয়ু আদি কৰি যত ধন জন
তাক কাল-চোৰে হৰে।
দেখি নেদেখস বুঢ়াক হাসস
ছৱাল কালতে মৰে॥
যৌৱন-গৰ্ব্বক বাণ্টে পৰিহৰি
নামক নৈয়ো যতনে।
কালৰ হাতত বৃদ্ধ যুৱা নাই,
কহন্তু ৰামচৰণে॥

বহুতে কয় যে ঈশ্বৰৰ বিষয়ে আমি আৰিচিত্তি একো ঠিক কৰিব নোৱাৰোঁ, সেইদেখি সেই বিষয়ে মূৰ ঘমোৱাটো বৃথা। গ্ৰীচৰ চক্ৰেটিচেও ইয়াকে কৈছিল। কিন্তু মূৰ নঘমাওঁ বুলি থাকোঁ কেনেকৈ? কোনোবাই পাৰে নে থাকিব? কোনেও নোৱাৰে। এদিন নহয় এদিন, আজি নহয় কাইলৈ, ঈশ্বৰ-চিন্তাত আমি মূৰ ঘমাবই লাগিব। তুমি ঈশ্বৰৰ অংশ জ্ঞানময় জীৱ। অজ্ঞানৰ ঢাকোনে তোমাক ঢাকি ৰাখিবলৈ যিমানকে চেষ্টা কৰক, তুমি সেই অন্ধকাৰ আবৰণ ভেদ কৰি উঠিবলৈ প্ৰাণপণে যত্ন কৰিবাই কৰিবা। কাৰণ তোমাত পৰমাত্মাৰ অংশ আছে। পাৰ্থিৱ বস্তুৰ আবৰণ ঠেলি সহধৰ্ম্মী অংশই পূৰ্ণ পৰমাত্মাৰে মিলিবলৈ, ঈশ্বৰৰ অভিমুখী হৈ চলিবলৈ সংগ্ৰাম কৰি থাকিবই—যেতিয়ালৈকে সি নিৰ্দ্দিষ্ট স্থান নাপায়গৈ। ভাৰতৰ ষড়্দৰ্শন প্ৰণেতা-সকলৰ ভিতৰত কোনো কোনো দাৰ্শনিকে অকল তৰ্ক-যুক্তিৰ বাট ধৰি যদিও ঈশ্বৰৰ জ্যোতিত সোমাই অধিক অন্ধকাৰত ওলাইছিলগৈ, তথাপি তেওঁলোকেও মূৰ নঘমাই নোৱাৰিলে থাকিব। জৈমিনিৰ মীমাংসাৰ মীমাংসা,—বেদ, নিত্য আৰু অজাত। জীৱৰ ধৰ্ম্ম,—বেদবিহিত যাগ-পূজাদি কৰ্ম্ম কৰি পুণ্য সঞ্চয় কৰি স্বৰ্গ কামনা কৰা। ইয়াতেই শেষ। এই মীমাংসাত ঈশ্বৰৰ আৱশ্যকতা নাই। কপিলৰ সাংখ্যত কৰ্ম্মকাণ্ডৰ অসাৰতা দেখুৱাই যদিও জ্ঞানৰ শ্ৰেষ্ঠতা দেখুৱা হৈছে, তথাপি সাংখ্য ঈশ্বৰমুখী নহয়, সাংখ্য একপ্ৰকাৰ নিৰীশ্বৰবাদী। সাংখ্যই কয়, প্ৰকৃতিৰ লগত আত্মা বা পুৰুষৰ সংযোগেই বস্তু দুখৰ মূল। প্ৰকৃতিৰপৰা পুৰুষৰ ভেদ সাক্ষাৎকাৰ হলেই সকলো সুখ-দুখৰ ওৰ পৰে। ইয়াকেই সাংখ্যই কৈৱল্য বোলে, অৰ্থাৎ পুৰুষ বা আত্মাৰ

স্বতন্ত্ৰতাবোধ। ঈশ্বৰৰ অস্তিত্ব কল্পনা এই দৰ্শনৰ মতে অনাৱশ্যক। 'ঈশ্বৰাসিদ্ধেঃ। প্ৰমাণাভাৱাৎ ন তৎসিদ্ধিঃ' ইত্যাদিৰ সূত্ৰৰ দ্বাৰা সাংখ্যাই ঈশ্বৰক এক-প্ৰকাৰ অস্বীকাৰ কৰিছে। পতঞ্জলিৰ যোগত 'নিৰ্ব্বীজ সমাধি' সাংখ্যৰ কৈবল্য আৰু যোগৰ 'নিৰ্ব্বীজ সমাধি' প্ৰায় একে, প্ৰভেদ মাথোন যে পতঞ্জলিয়ে ঈশ্বৰ মানিছিল; কিন্তু 'ঈশ্বৰপ্ৰণিধানাদ্বা' বুলি সমাধি সিদ্ধিৰ বাবে আন আন উপায়ৰ লগতে ঈশ্বৰ প্ৰণিধানও এটা উপায় বুলি উল্লেখ কৰিছে মাথোন। এই নিমিত্তে জৈমিনিৰ কৰ্ম্মযোগ, কপিলৰ জ্ঞানযোগ, আৰু পতঞ্জলিৰ ধ্যানযোগ ঈশ্বৰমুখী নহয়। ষড়্দৰ্শনৰ বাহিৰা চাৰ্ব্বাক দৰ্শনতো একেবাৰেই নাস্তিক। ব্যাসৰ উত্তৰ মীমাংসা বা বেদান্ত ব্ৰহ্মপ্ৰতিপাদক, কিন্তু সেই ব্ৰহ্ম নিৰ্গুণ। বেদান্তৰ মুখ্য উদ্দেশ্য নিৰ্গুণ ব্ৰহ্মত স্থিতি অৰ্থাৎ মোক্ষ লাভ। কিন্তু নিৰ্গুণ ব্ৰহ্ম সাধাৰণ লোকৰ ধাৰণাৰ অতীত, সেই বাবেই সগুণ ব্ৰহ্মৰ আৱশ্যকতা। সগুণ ব্ৰহ্মই ঈশ্বৰ। উচ্চ অঙ্গৰ হিন্দু-শাস্ত্ৰত সেইদেখি ব্ৰহ্ম, ঈশ্বৰ আৰু শক্তি-এই তিনিটা ভাগৰ তত্ত্বৰ অৱতাৰণা। ব্ৰহ্ম

অশব্দমস্পৰ্শমৰূপমব্যয়ং
তথাৰসং নিত্যমগন্ধৱচ্চ যৎ
অনাদ্যনন্তং মহতঃ পৰং ধ্ৰুবং
নিচায্য তং মৃত্যুমুখাৎ প্ৰমুচ্যতে ॥

অৰ্থাৎ যাত শব্দ নাই, স্পৰ্শ নাই, ৰূপ নাই, ৰস নাই, গন্ধ নাই, যাৰ ক্ষয় নাই, যি অনাদি অনন্ত, যি মহত্তত্তকৈয়ো মহৎ আৰু নিত্য নিৰ্ব্বিকাৰ, এনে ব্ৰহ্মক জানি জীৱই মৃত্যুমুখৰপৰা প্ৰমুক্ত হয়।

অণোৰণীয়ান্ মহতো মহীয়ান্
আত্মা গুহায়াং নিহিতোঽস্য জন্তোঃ।
তমক্ৰতুঃ পশ্যতি বীতশোকো
ধাতুপ্ৰসাদান্মহিমানমীশম্ ॥

অৰ্থাৎ পৰমাত্মা ব্ৰহ্ম সূক্ষ্মতকৈও সূক্ষ্ম, আৰু মহত্তকৈও মহৎ। তেওঁ প্ৰাণীসকলৰ হৃদয়ত বাস কৰে। বিগত-শোক ব্যক্তিয়ে সেই ভোগাভিলাষ-বৰ্জ্জিত ঈশ্বৰক আৰু তেওঁৰ মহিমাক তেওঁৰ প্ৰসাদত দৃষ্টি কৰে।

ব্ৰহ্মক কোনো সংজ্ঞাৰে বুজাব নোৱাৰি। সেই দেখি শ্ৰুতিত 'নেতি' 'নেতি' কৰি অৰ্থাৎ ব্ৰহ্ম এনে নহয়, এনে নহয়, কৰি বুজোৱা হৈছে। এনে নিৰ্গুণ ব্ৰহ্মক সকলোৱে ধাৰণা কৰিব নোৱাৰে। সেইবাবে ব্ৰহ্মক সগুণভাৱে আৰাধনা কৰা হয় আৰু সগুণ ব্ৰহ্মৰ আৰাধনাই সকলোৰে সাধ্যায়ত্ত।

ব্ৰহ্মৰ শক্তি ব্ৰহ্মত লীন থাকে। সৃষ্টিত সেই শক্তি ব্যক্ত অৰ্থাৎ প্ৰকাশিত হয়। সৃষ্টিৰ অন্তত অৰ্থাৎ প্ৰলয়ৰ পিছত সেই শক্তি আকৌ ব্ৰহ্মত লীন হৈ অব্যক্ত হয়। ব্ৰহ্মই সগুণ হৈ সৃষ্টি কৰে। অব্যক্ত তুৰীয় বা নিৰ্গুণ ব্ৰহ্মই আংশিকৰূপে ব্যক্ত হৈ সৃষ্টি কৰে। সগুণ শক্তি-সম্বলিত ব্ৰহ্মই অৰ্থাৎ ঈশ্বৰেই ভক্তৰ উপাস্য। শক্তি-সম্বলিত ব্ৰহ্মক অৰ্থাৎ ঈশ্বৰক উপাসনা কৰিলেই যথেষ্ট। ঈশ্বৰৰ শক্তিক ঈশ্বৰৰপৰা বেলেগাই লৈ উপাসনা কৰিবৰ সকাম কি? সূৰ্য্যৰ ৰশ্মিয়েই সূৰ্য্য নহয়, ৰশ্মিক পূজা কৰিলেই সৰ্ব্বাঙ্গীন সূৰ্য্যপূজা নহয়, কিন্তু সূৰ্য্যক পূজা কৰিলে ৰশ্মিৰ পূজাও তাৰ অন্তৰ্গত হয়।

ব্ৰহ্মৰ উপাসনা যোগ, ধ্যান, সমাধি আদিৰ দ্বাৰাই কৰা সকলোৰে সাধ্যায়ত্ত নহয়, সেইটো অতি দুৰ্গম পথ। সত্য, ত্ৰেতা, দ্বাপৰত সেই পথ নিৰ্ণীত থাকিলেও কলিকালত অল্পপ্ৰাণ মানুহৰ নিমিত্তে সেই পথ অৱলম্বনীয় নহয়। এই দেখি ন-বিধ সাত্ত্বিক ভক্তিৰ পথেৰে সগুণ ঈশ্বৰৰ উপাসনা কলিৰ লোকৰ অৱলম্বনীয়। ন-বিধৰ ভিতৰত শ্ৰৱণ-কীৰ্ত্তন শ্ৰেষ্ঠ আৰু সুগম। এই হৰিনাম শ্ৰৱণ-কীৰ্ত্তন ভক্তিকে মুখ্যতঃ প্ৰকাশ কৰি জীৱৰ তৰণৰ উপায় কৰিছিল মহাপুৰুষ শঙ্কৰদেৱে, আৰু তেওঁৰ প্ৰভাৱেৰে অনুপ্ৰাণিত আৰু প্ৰভাৱে আলোকিত মহাপুৰুষ মাধৱদেৱ আৰু দামোদৰদেৱে। এই বাবেহে মাধৱ-দেৱে ঘোষাত লিখিছে—

বৈকুণ্ঠ প্ৰকাশে হৰিনাম-ৰসে
প্ৰেম-অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি ॥

এই বাবেই শঙ্কৰদেৱে 'হৰিৰ নামৰ গোপ্য পেৰাৰ মূৰ মেলি দিলে' বুলি মাধৱদেৱে কৈছে। এই বাবেই মাধৱদেৱে গাইছে—

হৰি-ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
হৰি-নামৰস বেহায়া জগতে
চলয় বৈকুণ্ঠপুৰী ॥

শঙ্কৰদেৱে গীতা, শ্ৰীমদ্ভাগৱত আৰু সহস্ৰ-নামৰপৰা তেওঁৰ ধৰ্ম্মৰ সাৰ গ্ৰহণ কৰিছে। বেদৰ সাৰ ভাগ উপনিষদ। উপনিষদৰ সাৰ গীতা। গীতাই নিৰীশ্বৰবাদী, সন্দেহবাদী আৰু ব্ৰহ্মবাদী দৰ্শনবোৰৰ সমন্বয় কৰি তাৰ মতবোৰ ঈশ্বৰমুখী কৰিছে। গীতাই মীমাংসা-দৰ্শনৰ কৰ্ম্মকাণ্ড, পতঞ্জলিৰ ধ্যানযোগ, বেদান্তৰ জ্ঞানযোগৰ সমন্বয় কৰি একশৰণ ভক্তিযোগৰ প্ৰাধান্য দেখুৱাইছে। গীতাই কৰ্ম্মবাদীক কৈছে,—তুমি যথাসাধ্য ভালকৈ কৰ্ম কৰা কিন্তু তোমাৰ সকলো কৰ্ম ঈশ্বৰত সমৰ্পণ কৰি কৰিবা অৰ্থাৎ ঈশ্বৰমুখী হৈ কৰ্ম কৰা, ফলৰ আকাঙ্ক্ষা নকৰিবা।' কৰ্মতহে তোমাৰ অধিকাৰ, ফলত

নহয়। গীতাই সাংখ্যবাদীক কৈছে—তোমাৰ প্ৰকৃতি-পুৰুষ স্বতন্ত্ৰ নহয়, ঈশ্বৰৰ অধীন। তোমাৰ তত্ত্বজ্ঞান কেৱল অনাদি অনন্ত পৰমেশ্বৰৰ স্বৰূপ জ্ঞান। ঈশ্বৰ সাধনা নহলে তোমাৰ কৈৱল্য নহয়। গীতাই যোগমাৰ্গাৱলম্বীক কৈছে,—তোমাৰ যোগ নিৰ্ব্বীজ সমাধি বা আত্মসাক্ষাৎকাৰ নহয়। তোমাৰ যোগৰ মুখ্য উদ্দেশ্য ঈশ্বৰৰ সংগলাভহে। গীতাৰ প্ৰকৃত মৰ্ম্ম নুবুজি অনেকে ভাবে যে গীতাই ঈশ্বৰবাদী, নিৰীশ্বৰবাদী আগম, নিগম, সকলো পন্থৰ ধৰ্ম্মলৈ ঠাই ৰাখিছে। গীতাৰপৰা এই শ্ৰেষ্ঠ ভক্তিযোগ, সগুণ ঈশ্বৰত এক-শৰণ আনি শঙ্কৰদেৱে তেওঁৰ প্ৰচাৰিত ধৰ্ম্মত প্ৰাণ সঞ্চাৰণ কৰিছে। শঙ্কৰদেৱৰ ধৰ্ম্মৰ কৰ্ম্ম ঈশ্বৰৰ উদ্দেশ্যে কৰ্ম্ম। জ্ঞান—ঈশ্বৰৰ জ্ঞান। ধ্যান——ঈশ্বৰৰ ধ্যান। কিন্তু সকলো ভক্তিমূলক। শঙ্কৰী ধৰ্ম্মত ভক্তিবিবৰ্জ্জিত কৰ্ম্ম, জ্ঞান, ধ্যান অসাৰ্থক। ভক্তিৰ মূলত বিশ্বাস আৰু বিশ্বাসেই একশৰণ। গীতাৰো শেহ বচন এয়ে—'সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।' খৃষ্টান ধৰ্ম্মতো বিশ্বাসেই মূলমন্ত্ৰ—ত্ৰাণকৰ্ত্তা যীশুত একশৰণ। ইচলাম ধৰ্ম্মতো বিশ্বাসেই মূলমন্ত্ৰ—ঈশ্বৰৰ শেষ 'প্ৰফেট' মহম্মদত বিশ্বাস আৰু একশৰণ।

শঙ্কৰদেৱৰ ধৰ্ম্মৰ মজ্জা আনখন শাস্ত্ৰ শ্ৰীমদ্ভাগৱত। ব্যাসে অনেক পুৰাণ, অনেক শাস্ত্ৰ কৰি, বেদান্তত জ্ঞান-পথ আলোচনা কৰি ব্ৰহ্মৰ স্বৰূপ নিৰ্ণয় কৰিও তেওঁৰ মনত শান্তি নাপালে। অন্তত মহাভক্ত নাৰদৰ উপদেশত তেওঁ সগুণ ঈশ্বৰৰ লীলা বৰ্ণনা কৰি শ্ৰীমদ্ভাগৱত ৰচনা কৰিহে শান্তি পালে। জ্ঞানে শুকাই থোৱা ব্যাসৰ অন্তৰত ভক্তিৰসৰ ঢৌ উঠিল। তেওঁৰ মন ভক্তিৰ শান্তিবাৰিয়ে সজীৱ কৰিলে। সগুণ ঈশ্বৰৰ গুণলীলা শ্ৰৱণ-কীৰ্ত্তন কৰি ঈশ্বৰক ভজনা কৰিবলৈ শিক্ষা দিয়াই শ্ৰীমদ্ভাগৱতৰ উদ্দেশ্য। ভাগৱতৰ সগুণ ঈশ্বৰৰ প্ৰেমমূলক ধৰ্ম্মই শঙ্কৰৰ ধৰ্ম্ম। তত্ত্বজ্ঞানী মুক্ত সিদ্ধপুৰুষ সনক, সনন্দ, সনাতন, সনৎকুমাৰ, নাৰদ, শুক আদিয়েও জ্ঞানত পৰিতৃপ্ত নহৈ প্ৰেমভক্তিমূলক সগুণ ঈশ্বৰৰ গুণলীলা শ্ৰৱণ-কীৰ্ত্তনলৈ অশেষ হেঁপাহ কৰে। মুক্তসকলেও ভাৰতত মানৱী জন্ম লভি তপ-জপ-যজ্ঞ বিবৰ্জ্জিত হৰিনাম প্ৰেমামৃত পান কৰিবলৈ হাবিলাষ কৰে। এই বাবেই মহাপুৰুষ শুকজনে ৰবগীতত কৈছে—

> ধন্য ধন্য কলিকাল ধন্য নৰতনু ভাল
> ধন্য ধন্য ভাৰতবৰিষে।
>
> তপ জপ যজ্ঞ ত্যজি তোমাৰ চৰণ ভজি
> তৰা নাম ঘুষিয়ো হৰিষে।

এই বাবে কলিত 'হৰেৰ্নাম হৰেৰ্নাম হৰেৰ্নামৈব কেৱলম্'।

পৃথিৱীত যতপ্ৰকাৰ শাণিত সুতীক্ষ্ণ অস্ত্ৰ আছে সকলোৰে ভিতৰত শব্দ অস্ত্ৰ সকলোতকৈ চোকা। 'কথাতে কটা যায়, কথাতে বঁটা পায়' বুলি কয়। "ভাতৰ তিতা সহিব পাৰি, মাতৰ তিতা সহিব নোৱাৰি।" এইবোৰ বুঢ়ালোকৰ সাৰুৱা বচন। শব্দক সেইদেখি শব্দব্ৰহ্ম বোলে। ওঁকাৰ সেই দেখি মূলমন্ত্ৰ। বাইবেলত সেই দেখি Word is God বুলিছে। প্ৰথমতে হেলাতে যাৰ নাম লৈ থাকোঁতে লাহে লাহে সি মানুহৰ চিত্ত অধিকাৰ কৰে। প্ৰথমতে মানুহে সেইটো গম ধৰিব নোৱাৰে। অৱশেষে প্ৰথমতে আওকাণ কৰি উচ্চাৰণ কৰি থকা নামে কালত উচ্চাৰণ কৰোঁতাৰ গোটেই অস্তিত্ব অজ্ঞাতসাৰে অভিভূত কৰি পেলায়। এই বাবেই ভাৰতবৰ্ষৰ মানুহ শাক্তই হওক বা শৈৱই হওক বা বৈষ্ণৱেই হওক, তেওঁলোকৰ উপাস্য দেৱতাৰ নাম তেওঁলোকে নিজ সন্তানসকলক দিয়ে। শাক্ত-শৈৱসকলেও অৱশ্যে দুৰ্গা শিৱ গণপতিৰ নাম নিজৰ সন্তানসকলক দি নামৰ প্ৰাধান্য অজ্ঞাতসাৰে স্বীকাৰ কৰিব লাগিছে।

হাতুৰিৰে কোবাওঁতে কোবাওঁতে প্ৰথমতে নোসো-ৱোৱা গজালও পিচত সোমাই যায়। ঈশ্বৰত ৰতি নোহোৱাই ঈশ্বৰৰ নাম প্ৰথমতে চেলেংপেতেংকৈ লওঁতে লওঁতে কালত তাৰ মন ঈশ্বৰত নিবিষ্ট হয়। এই বাবেই কি কৰ্ম্মকাণ্ডবাদী, কি জ্ঞানকাণ্ডবাদী, কি শাক্ত, কি শৈৱ, কি বৈষ্ণৱ, সকলোৰে তেওঁলোকৰ অনুষ্ঠান আৰু ক্ৰিয়াবোৰ আৰু ইষ্টমন্ত্ৰ জপ, গায়ত্ৰী সন্ধ্যা আদি দিনৌ কৰে। গিৰ্জ্জাত আৰু মছ্-জিদত এই বাবেই ঈশ্বৰৰ 'প্ৰেয়াৰ' আৰু 'নামাজৰ' ব্যৱস্থা। এই বাবেই শঙ্কৰদেৱৰ দিনৌ নাম-প্ৰসঙ্গৰ ব্যৱস্থা। নাম লোৱা ভকতক উপহাস কৰোঁতাসকলে তেওঁলোকৰ নিজৰে ঠিক এনে বিধৰ ব্যৱস্থালৈ চকু দিবলৈ পাহৰিহে বৈষ্ণৱক তেনে উপহাস কৰে। বাল্মীকিয়ে 'মৰা' 'মৰা' জপ কৰোঁতে কৰোঁতে পিছত তেওঁৰ মুখত ৰাম ওলালগৈ; আৰু ওলালতে বৈকুণ্ঠৰ গোটেইখন দুৱাৰ তেওঁলৈ মুকলি হ'ল।

ঈশ্বৰৰ প্ৰতি লোমকূপতে একোটা ব্ৰহ্মাণ্ড অসংখ্য অলেখ কোটী কোটী। একোটা ব্ৰহ্মাণ্ডৰ ওপৰত একোজনকৈ ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ। কেইজনে বাৰ বুলিছে যে তেওঁলোক উদ্ধাৰ হৈ বিষ্ণুপতিৰ বিষ্ণুগৃহ বৈকুণ্ঠৰ ঠাই তেওঁলোকে জুৰি পেলাব? ঈশ্বৰৰ আকাশত কোটি কোটি গ্ৰহ-উপগ্ৰহ, চন্দ্ৰ-সূৰ্য্য। একো একোটাৰ আগত আমাৰ এই পৃথিৱী, চন্দ্ৰ, সূৰ্য্য বালিচাহী। সেইবোৰত জীৱৰ বসতি আছে, বিজ্ঞানে এই কথা নিঃসন্দেহে প্ৰমাণ কৰিছে। ই কবিৰ কল্পনা নহয়। আমাৰ মাধৱ-দেৱে যোৱাত কৈছে,—'গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ বাম মুৰাৰি। অনন্ত কোটি ব্ৰহ্মাণ্ডৰ

হবি অধিকাৰী।' এতেকে ঈশ্বৰৰ নাম লৈ উদ্ধাৰ হোৱা কেচা, পকা, সিজা, নিসিজা, এধাসিজা ভকত আৰু ভকতসকলক তেওঁৰ বৈকুণ্ঠধামত ঈশ্বৰ কৃষ্ণই ঠাইৰ দিহা কৰি accommodate কৰিব পাৰিব, চিন্তা নাই। আৰু যদিহে শ্ৰীমন্ত শঙ্কৰদেৱৰ কৃপাত নাম লৈ তৰা ভকতসকলেৰে এইটো ব্ৰহ্মাণ্ডৰ বৈকুণ্ঠ ধন ভৰি যায়, তেন্তে তাঁৰ নথকা টেলিগ্ৰামৰ সহায়ত আন এটা ব্ৰহ্মাণ্ডৰ বৈকুণ্ঠ এখনত 'আতৈসকল'লৈ ঠাই উলিয়াব পৰাটো অসম্ভৱ বুলি নো ধৰোঁ। কেনেকৈ? এই বাবে আমাৰ ভকতসকলক কওঁ—'আতৈসকল! তোমবাসকলে গল মেলি হৰিনাম লওক, শঙ্কা নকৰিব।'

নাম লোৱা বাপুসকল নকৰিবা হেলা।
নামেসে ৰাখিব মোৰ সঙ্কটৰ বেলা।

শ্ৰীমন্ত শঙ্কৰ হৰিভকতৰ
জানা যেন কল্পতৰু।

আপোনাসকলৰ সহায় আছে, আপোনাসকলে নাম লওক।

সগুণ আৰু নিৰ্গুণ ধৰ্ম্মতত্ত্ব

বেদত্ৰয় প্ৰতিপাদিত ধৰ্ম্মক সগুণ ধৰ্ম্ম বোলে, আৰু ভগৱৎপ্ৰণীত বিশুদ্ধ ধৰ্ম্মক নিৰ্গুণ ধৰ্ম্ম বোলে। অজামিলৰ উপাখ্যানত বিষ্ণুদূত আৰু যমদূতৰ ভিতৰত হোৱা কথাৰপৰা এই দুটাৰ ব্যাখ্যা পোৱা যায়। চমুকৈ সেই কথা তলত দিলো :—

কান্যকুব্জ দেশত অজামিল নামে এজন ব্ৰাহ্মণ আছিল। তেওঁৰ জীৱনৰ প্ৰথম ছোৱাত তেওঁ সদাচাৰী, সুশীল, মৃদু, সত্যবাদী, মন্ত্ৰজ্ঞ, নিৰহঙ্কাৰী, অতিথি-সৎকাৰকাৰী, পৰিমিতভাষী, ক্ষমাশীল, সকলো প্ৰাণীৰ ভিতৰত, আনৰ প্ৰতি অসূয়াশূন্য, আৰু শুচি ব্ৰাহ্মণ আছিল। এদিন অজামিলে বাপেকৰ আজ্ঞাতে ফল-ফুল, সমিধ, কুশ আনিবলৈ এখন বনলৈ গৈ, সেইবোৰ সংগ্ৰহ কৰি আনি উভতি আহোঁতে বাটতে এটা মতলীয়া মানুহে বেশ্যা এজনীৰে সৈতে হাস্য-পৰিহাস কৰি ক্ৰীড়াসক্ত হৈ থকা দেখিবলৈ পালে। সেই দৃশ্য দেখি অজামিলৰ মন টলিল আৰু তেওঁ ধৰ্ম্মবাই হৈ সেই বেশ্যাৰ প্ৰতি একেবাৰেই আসক্ত হৈ পৰিল। অন্তত অজামিলে যাৱতীয় পৈতৃক অৰ্থ ব্যয় কৰি সেই তৰুণী বেশ্যাক হস্তগত কৰি, নিজৰ বিবাহিতা পত্নীক পৰিত্যাগ কৰি তাইৰে সৈতে গৃহবাস কৰিবলৈ ধৰিলে।

বিপ্ৰৰ ঔৰসে বেশ্যাৰ গৰ্ভত
দশ পুত্ৰ জাত ভৈলা।

আতি দায়াতৰে কনিষ্ঠ পুত্ৰৰ
নাৰায়ণ নাম থৈলা॥
জাতি-কুল-ক্ৰিয়া সমস্ত ত্যজিল
মিলিল কৰ্ম্ম-বিপাক।
যত মহাপাপ সমস্ত সিজিল
পোষন্তে পুত্ৰ-ভাৰ্য্যাক॥
অনেক অধৰ্ম্ম কৰন্তে বিপ্ৰৰ
আয়ু ভৈল সমাগত।
ভয়ঙ্কৰ তিনি গোটা যমদূত
আগে ভৈলা উপগত॥

বৰ মৰমৰ পুতেক নাৰায়ণক অজামিলে চকুৰ আঁৰকে কৰিব নোৱাৰিছিল। তেওঁৰ মৃত্যুকাল উপস্থিত হলত খালি পুতেক নাৰায়ণকে অজামিলে ভাবিবলৈ ধৰিলে। যমদূতে যেতিয়া তেওঁৰ জীৱটো দেহৰপৰা আকৰ্ষণ কৰিবলৈ ধৰিলে, তেওঁ "নাৰায়ণ ঐ নাৰায়ণ নৰি আহ! মোক নিলে ঐ।" এই বুলি অতি উচ্চস্বৰে মাতিবলৈ ধৰিলে। তেতিয়াই 'আমাৰ প্ৰভুৰ নাম লৈছে', বুলি চাৰিজন বিষ্ণুদূত নৰি আহি 'খবৰদাৰ! নিনিবি, এৰি দে।' বুলি যমদূতক নিষেধ কৰিলে। যমদূতে আচৰিত মানি 'তোমালোক কোন? আমি ধৰ্ম্মৰাজৰ আজ্ঞাকাৰী ভৃত্য। আমাৰ কৰ্ত্তব্য কামত কিয় তোমালোকে হকা-বধা কৰিছা' বুলি বিষ্ণুৰ ৰূপ সদৃশ সুন্দৰ বিষ্ণুদূত কেইজনক সুধিলে। বিষ্ণুদূতে কলে,—'তোমালোক যদি ধৰ্ম্মৰাজৰ আজ্ঞাকাৰী, তেন্তে আমাক ধৰ্ম্মতত্ত্ব আৰু লক্ষণ কাক বোলে বুজাই দিয়া।' যমদূতে উত্তৰ দিলে 'বেদত যাক কৰ্ত্তব্য বুলি কোৱা হৈছে সেয়ে ধৰ্ম্ম আৰু তাৰ বিপৰীত কাৰ্য্য অধৰ্ম্ম। আমি শুনিছো বেদ সাক্ষাৎ নাৰায়ণস্বৰূপ আৰু স্বতঃ-সম্ভূত। যি নিজৰ স্বৰূপত সত্ত্ব, ৰজঃ, আৰু তমোগুণী প্ৰাণীবোৰক সত্ত্বাদি গুণ, ব্ৰাহ্মণ্যাদি নাম, অধ্যয়নাদি ক্ৰিয়া আৰু বৰ্ণাশ্ৰমাদি ৰূপৰ দ্বাৰায় ব্যক্ত কৰে, তেৱেঁই নাৰায়ণ। চন্দ্ৰ, সূৰ্য্য, অগ্নি, আকাশ, পৱন, সন্ধ্যা, দিন, ৰাতি, দিশ, পৃথিৱী, জল আৰু ধৰ্ম্ম,—এইবোৰ জীৱৰ কৃতকৰ্ম্মৰ সাক্ষী। এই সমস্ত সাক্ষীৰ দ্বাৰায় বিজ্ঞাত অধৰ্ম্মেই দণ্ডৰ পাত্ৰ। সকলো কৰ্ম্মই ক্ৰমানুসাৰে দণ্ড-ভাগী হয়। কৰ্ম্মীত ভদ্ৰ-অভদ্ৰ দুইটা সম্ভাব্য, কাৰণ কৰ্ম্মীৰ গুণসঙ্গ আছে। কৰ্ম্ম নকৰে এনে শৰীৰী নাই। ইহলোকত যি মানুহে যত প্ৰকাৰ ধৰ্ম্ম বা অধৰ্ম্ম কৰে, পৰলোকত সি সেই প্ৰকাৰে ফল অৱশ্যে ভোগ কৰিব। যেনেকৈ ত্ৰিবিধ গুণানুসাৰে ইহলোকত ত্ৰিবিধ প্ৰাণী দেখিবলৈ পোৱা যায়, সেই দৰে পৰলোকতো ত্ৰিবিধ গুণী প্ৰাণী হয়। এইটো অনুমানসিদ্ধ। যেনেকৈ বৰ্ত্তমান বসন্তকাল, অতীত বসন্তকাল আৰু ভৱিষ্যত বসন্ত-কালৰ গুণজ্ঞাপক হয়, তেনেকৈ উৰ্দ্ধিত জন্মও অতীত আৰু ভৱিষ্যত জন্মৰ ধৰ্ম্মাধৰ্ম্মৰ নিৰ্দ্দেশক হয়।

আমাৰ প্ৰভু যম ৰজাই নিজৰ পুৰীত থাকিয়েই মানুহৰ পূৰ্ব্বকৃত আচৰণ দেখিবলৈ পায় আৰু ভৱিষ্যত আচৰণৰ বিচাৰ কৰি থয়। যেনেকৈ নিদ্ৰিত মানুহে স্বপ্নদৃষ্ট দেহত আত্মবুদ্ধি কৰে, পূৰ্ব্বাপৰ একোকে নাজানে; সেইদৰে আৰু জীৱই এই ব্যক্ত দেহৰেই উপাসনা কৰে; কাৰণ তাৰ জন্মান্তৰীণ স্মৃতি বিনষ্ট হৈছে। কামাদি ছয় ৰিপুৰ দ্বাৰাই অভিভূত অজ্ঞ জীৱই ইচ্ছা নাথাকিলেও কৰ্ম্ম কৰিবলৈ বাধ্য হয় আৰু পোকে লেটা বান্ধি নিজে আবদ্ধ হোৱা দৰে কৰ্ম্ম-জালত আবদ্ধ হৈ নিজৰ ওলাবৰ বাট বিচাৰি নাপায়। পূৰ্ব্বসংস্কাৰে বলেৰে তাক কৰ্ম্ম কৰিবলৈ বাধ্য কৰে। কৰ্ম্মফলেই জীৱনৰ স্থূল অথবা সূক্ষ্ম শৰীৰৰ কাৰণ। বলৱতী বাসনাৰ দ্বাৰাই জীৱৰ পিতৃসদৃশ বা মাতৃসদৃশ দেহপ্ৰাপ্তি হয়। প্ৰকৃতিৰ সঙ্গবশত পুৰুষৰ এনে বিপৰ্য্যয় হয়। কিন্তু পুৰুষ যদি স্বয়ং পৰমেশ্বৰৰ উপাসনাত তৎপৰ হয়, তেন্তে অচিৰতে পৰমেশ্বৰত বিলয় পাব পাৰে। এই অজামিল যদিও তাৰ প্ৰথম ডোখৰ জীৱনত ভাল আছিল, শেষ ডোখৰত অলেখ পাপত লিপ্ত হৈ মহাপাপী হৈ পৰিছিল। এই বাবে আমি অকৃত-প্ৰায়শ্চিত্ত এই পাপীক দণ্ডধৰৰ ওচৰলৈ লৈ যাম। তাত দণ্ডৰ দ্বাৰাই সি শুদ্ধি লাভ কৰিব।'

যমদূতৰ এই কথা শুনি বিষ্ণুদূতে সিহঁতক কলে, 'এই ব্ৰাহ্মণে কোটিজন্ম কৃত পাপৰো প্ৰায়শ্চিত্ত কৰিছে কিয়নো ই অৱশ হৈয়ো মোক্ষপদ হৰিনাম উচ্চাৰণ কৰিলে। ইয়ে 'নাৰায়ণ' এই চাৰি অক্ষৰ উচ্চাৰণ কৰিলে, তাৰপৰাই ই পাপৰপৰা নিষ্কৃতি পালে। স্বৰ্ণস্তেয়ী, মিত্ৰদ্ৰোহী, ব্ৰহ্মঘ্ন, গুৰুপত্নীগামী আৰু স্ত্ৰীহত্যাকাৰী, ৰাজঘাতী, পিতৃঘাতী, গোবধকাৰী আৰু অন্যান্য যিবোৰ মহাপাতকী আছে, বিষ্ণুনামোচ্চাৰণেই সেইবোৰ পাপীৰ উৎকৃষ্ট প্ৰায়শ্চিত্ত। যি বিষ্ণুনাম কীৰ্ত্তন কৰে, ভগৱন্তই তাক নিজৰ বুলি ভাবে।

পাপীয়ে হৰিনাম মাথোন উচ্চাৰণ কৰি যেনে শুদ্ধ হয় ব্ৰহ্মবাদী মুনিসকলে বিহা প্ৰায়শ্চিত্তৰ দ্বাৰাই তেনে নহয়। হৰিৰ নাম উচ্চাৰণ পৱিত্ৰকীৰ্ত্তি হৰিৰ গুণসমূহ জ্ঞাপক। চান্দ্ৰায়ণাদি প্ৰায়শ্চিত্ত পাপৰ সমূল সংহাৰক নহয়; কাৰণ প্ৰায়শ্চিত্ত কৰিলেও পাপীৰ মন পুনৰায় অসৎ পথলৈ ধাবিত হয়। এতেকে যি একেবাৰেই পাপৰ মূল উৎপাটন কৰিব খোজে, তাৰ পক্ষে হৰিৰ নাম-গুণকীৰ্ত্তনেই উত্তম প্ৰায়শ্চিত্ত। তাতেই চিত্তশুদ্ধি হয়। পুত্ৰাদিৰ সঙ্কেততেই হওক বা পৰিহাসতে হওক, গীতআলাপ পূৰণৰ নিমিত্তেই হওক বা অৱহেলাতেই হওক, ভগৱন্তৰ নাৰায়ণ নাম ললেই সকলো পাপ বিনাশ হয়। যি ওখ ঘৰৰ পৰা পৰি, বা বাটতে যাওঁতে পিছলি পৰি, বা সৰ্পাদিৰ দ্বাৰাই দংশিত হৈ, বা জ্বৰাদি ৰোগত সন্তপ্ত হৈ, দণ্ডাদি দ্বাৰাই আহত হৈয়ো 'হৰি' এই শব্দটো উচ্চাৰণ কৰে, সিও কেতিয়াও নৰক-যাতনা ভোগ কৰিবলগীয়া নহয়। মহৰ্ষিসকলে বিশেষকৈ জানি গুৰু-পাপৰ গুৰু আৰু লঘু-পাপৰ লঘু প্ৰায়শ্চিত্ত বিধিছে। সেইবোৰ পাপ তপস্যা দান আৰু ব্ৰতাদিৰ দ্বাৰাই ক্ষয় হয়, কিন্তু পাপীৰ পাপাচৰণৰ নিমিত্তে মলিন হৃদয় তাৰ দ্বাৰাই শুদ্ধ নহয়; অকল হৰিপদ সেৱাৰ দ্বাৰাইহে সেই হৃদয় নিৰ্ম্মল হয়। জুয়ে যেনেকৈ শুকান কাঠ দগ্ধ কৰে, সেইদৰে হৰিনাম কীৰ্ত্তনে পাপীৰ পাপ, জ্ঞানকৃতেই হওক, দগ্ধ কৰে। যেনেকৈ কোনো মানুহে নজনাকৈয়ে কোনো অতিশয় বীৰ্য্যবান ঔষধ ভক্ষণ কৰিলে, সেই ঔষধে নিজৰ গুণ দেখুৱায়, হৰিনামো তেনেকুৱা।'

ওপৰত এই দুই প্ৰকাৰ ধৰ্ম্মব্যাখ্যা দিয়া হ'ল। যমদূতৰ ব্যাখ্যা বেদত্ৰয়ৰ প্ৰতিপাদ্য সগুণ ধৰ্ম্ম আৰু বিষ্ণুদূতৰ ব্যাখ্যা ভগৱৎ প্ৰণীত বিশুদ্ধ নিৰ্গুণ ধৰ্ম্ম। যমদূতে যেতিয়া যমৰাজৰ কাষত এই ঘটনাৰ বিৱৰণ দি গোচৰ দিলেগৈ, যমৰজাই বিষ্ণুদূতৰ ধৰ্ম্ম ব্যাখ্যা সম্পূৰ্ণৰূপে সমৰ্থন কৰি কলে,—'শুন দূতহঁত! মোৰ বাহিৰেও আন এজন চৰাচৰৰ সৰ্ব্বপ্ৰধান অধীশ্বৰ আছে। কাপোৰত সূতাৰ দৰে তেওঁতে বিশ্ব ওতপ্ৰোত হৈ আছে; যাৰ অংশৰ পৰা এই বিশ্বৰ সৃষ্টি-স্থিতি-লয় হয়, আৰু যাৰ বশবৰ্ত্তী হৈ এই বিশ্বব্ৰহ্মাণ্ডৰ প্ৰাণী নাকী লগোৱা বলদৰ নিচিনাকৈ চলে; যি অধীশে ব্ৰাহ্মণাদি নামৰ দ্বাৰাই বেদবাক্য স্বৰূপ নিজ সূত্ৰেৰে মানুহক বন্ধন কৰিছে; নাম আৰু কৰ্ম্মৰূপ বন্ধনৰ দ্বাৰাই বদ্ধ সেই সমস্ত জীৱ সভয়ে যাৰ অধীনত আছে। আনৰ কথাই নাই, মই, মহেন্দ্ৰ, নিঋতি, বৰুণ, অগ্নি বায়ু, চন্দ্ৰ, সূৰ্য্য, ব্ৰহ্মা, মহেশ্বৰ, বিশ্বদেৱতাসকল, সাধ্যসকল, মৰুৎসকল, ৰুদ্ৰসকল, সিদ্ধসকল, বিশ্বস্ৰষ্টা আন আন প্ৰধান প্ৰধান দেৱতাসকল, আৰু ৰজস্তমোগুণৰ সম্বন্ধশূন্য ভৃগু প্ৰভৃতি মহৰ্ষিসকল সত্ত্বপ্ৰধান হৈয়ো মায়াস্পৰ্শ প্ৰভাৱত যাৰ চেষ্টা জানিবলৈ অক্ষম; যেনেকৈ চকুৱে শৰীৰৰ সকলো অৱয়ৱ দেখিবলৈ পায় কিন্তু চকুক নাপায়, তেনেকৈ সকলোৱে আত্মাৰূপে হৃদয়ত অৱস্থিত যাক প্ৰাণীবোৰে, ইন্দ্ৰিয়বোৰে, মন, প্ৰাণ, হৃদয় বা বাক্যৰ দ্বাৰায় নিৰ্দ্দেশ কৰিব নোৱাৰে; —সেই আত্মতন্ত্ৰ সকলোৰে প্ৰভু, সৰ্ব্বোৎকৃষ্ট, মায়াধিপতি আৰু মহাত্মা হৰিৰ মনোহৰ দূতসকল হৰিৰ তুল্য ৰূপ, গুণ আৰু স্বভাৱবিশিষ্ট। তেওঁলোকে সততে এই ভূমণ্ডলত ভ্ৰমণ কৰি থাকে। ভগৱান বিষ্ণুৰ ভৃত্যসকল সুৰপূজিত; তেওঁলোকৰ ৰূপ অতি দুৰ্দ্দৰ্শ; এতেকে তেওঁলোক অত্যাশ্চৰ্য্য। তেওঁলোকে বিষ্ণুভক্ত মানুহক শত্ৰুৰপৰা, মোৰপৰা আৰু আন [illegible] বিপদৰপৰা সৰ্ব্বতোভাৱে ৰক্ষা কৰি থাকে। [illegible]

ভগৱৎ প্ৰণীত যি ধৰ্ম্ম, তাক কি ভৃগু প্ৰভৃতি ঋষিয়ে, কি দেৱতাসকলে, কি সিদ্ধসকলে, কোনেও নাজানে। অসুৰ, মানুহ, বিদ্যাধৰ আৰু চাৰণবোৰেই বা কেনেকৈ জানিব ? হে দূতহঁত।

ব্ৰহ্মা মনু হৰ কপিল কুমাৰ (সনৎ কুমাৰ)
শুক ভীষ্ম বলিবায়।
প্ৰহ্লাদ নাৰদ জনক আমিসি
(এই) বাৰজন সমুদায় ॥ (কীৰ্ত্তন)

এই বাৰজনেহে ভাগৱত ধৰ্ম্ম জানে। অতিশয় পবিত্ৰ, গুহ্য আৰু অত্যন্ত দুৰ্ব্বোধ এই ধৰ্ম্ম জানিব পাৰিলে মোক্ষ লাভ হয়। হে দূতহঁত! নাম-সঙ্কীৰ্ত্তনাদিৰ দ্বাৰাই ভগৱন্ত বাসুদেৱত যি ভক্তিযোগ, সেয়েই ইহলোকত পুৰুষৰ পৰম ধৰ্ম্ম। ভগৱন্তৰ নামোচ্চাৰণৰ মাহাত্ম্য চোৱা। অকল নাম উচ্চাৰণ কৰিয়েই অজামিল মৃত্যুপাশৰ পৰা মুক্ত হ'ল। মহা-পাপী অজামিলে অশুচি আৰু মুমূৰ্ষু কালত অসুস্থচিত্ত হৈয়ো 'নাৰায়ণ' বুলি মাতিলত মুক্তি লাভ কৰিলে। ধৰ্ম্মশাস্ত্ৰ প্ৰণেতা মহাজনসকলৰ বুদ্ধি মায়াৰ দ্বাৰাই অত্যন্ত বিমোহিত হৈছিল। সেই বাবে বুদ্ধি, অৰ্থবাদ-ৰূপ পুষ্পিত বেদবিধিত বিজড়িত হোৱাৰ নিমিত্তে অতি গুহ্য নাম-মাহাত্ম্য তেওঁলোকে ভালকৈ বুজিব পৰা নাছিল। সেইদেখি তেওঁলোকে দ্বাদশ বাৰ্ষিকাদি প্ৰায়শ্চিত্তৰ বিধান কৰিছে। এতেকে বিসকল সুবুদ্ধি মানুহে এইবোৰ কথা বিবেচনা কৰি অনন্ত ঈশ্বৰত সৰ্ব্বান্তঃকৰণেৰে ভক্তি কৰে, তেওঁলোক কেতিয়াও মোৰপৰা দণ্ডপ্ৰাপ্তিৰ যোগ্য নহয়। তেওঁ-লোকৰ পাপ হবই নোৱাৰে। যদিবা হয়, ভগৱন্তৰ নাম-কীৰ্ত্তনত তৎক্ষণাৎ সেই পাপ বিনষ্ট হৈ যায়। বিসকল সাধু পুৰুষ ভগৱন্তৰ শৰণাপন্ন, সৰ্ব্বত্ৰ সম-দৰ্শী, দেৱতা আৰু সিদ্ধসকলে যাৰ পবিত্ৰ কথা কীৰ্ত্তন কৰি থাকে, তহঁতে কেতিয়াও সেইসকলৰ ওচৰলৈ নযাবি। ভগৱন্তৰ কৌমোদিক গদাই সৰ্ব্বতোভাৱে তেওঁলোকক ৰক্ষা কৰি আছে। তেওঁ-লোকৰ দণ্ড বিধান কৰিবৰ আমিও সমৰ্থ নহওঁ। কালো সমৰ্থ নহয়। অকিঞ্চন পৰমহংসসমূহে সঙ্গ-বিহীন হৈ অজস্ৰ যাৰ সেৱা কৰে, সেই মুকুন্দ পদাৰবিন্দ মকৰন্দ ৰসৰ আস্বাদন বিমুখ হৈ নৰকৰ বত্মৰূপ গৃহত বদ্ধতৃষ্ণ হৈ বিবোৰ থাকে, সেই অসাধুবোৰক মোৰ ওচৰলৈ তহঁতে আনিবি। যাৰ জিভাই ভগৱন্তৰ গুণবৰ্ণন বা নামোচ্চাৰণ নকৰে, যাৰ চিত্ত ভগৱন্তৰ চৰণ-পদ্ম স্মৰণত বিমুখ, যাৰ মস্তক কেতিয়াও শ্ৰীকৃষ্ণৰ পদাৰবিন্দত প্ৰণত নহয়, তেনে অসৎ লোকক মোৰ ওচৰলৈ তহঁতে আনিবি।'

যমে এই বুলি ভগৱন্তৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।—'হে প্ৰভু! মোৰ ভৃত্যসকলে যে অন্যায় কাম কৰিলে, পুৰাণ পুৰুষ নাৰায়ণ! আপুনি সেই দোষ ক্ষমা কৰক। আমি নাজানি অপৰাধ কৰিছো, হাতযোৰ কৰি মাতিছো, আমাৰ অপৰাধ মাৰ্জনা কৰক। আপুনি সকলোতকৈ মহৎ, আপোনাৰ ক্ষমা গুণ নিশ্চয় আছে, আপোনাৰ চৰণত প্ৰণাম কৰিছো।"

শ্ৰীকৃষ্ণতত্ত্ব

কৃষিৰ্ভূবাচকঃ শব্দো ণশ্চ নিৰ্বৃতিবাচকঃ।
তযোৰৈক্যং পৰংব্ৰহ্ম কৃষ্ণ ইত্যভিধীয়তে॥

কৃষ্ যেন শব্দ ইটো পৃথিবীবাচক ভৈল
ণ আনন্দত প্ৰবৰ্ত্তয়।
দুইৰ এক পদ ভৈল পৰমব্ৰহ্ম-ৰূপ কৃষ্ণ
নাম-আনন্দক মাত্ৰ কয়॥

শ্ৰীমদ্ভাগৱতৰ শ্ৰেষ্ঠতম টীকাকাৰ স্বল্পভাষী আৰু সুগূঢ়ভাবগ্ৰাহী শ্ৰীধৰ স্বামীয়ে কৃষ্ণ নামৰ পাৰিভাষিক অৰ্থ এইদৰে দিছে,—কৃষ্ আৰু মূৰ্দ্ধন্য ণ এই দুইটা মিলি কৃষ্ণ শব্দ হৈছে। কৃষ্ শব্দৰ অৰ্থ ভূ অৰ্থাৎ সত্তা বা অস্তিত্ব, আৰু মূৰ্দ্ধন্য ণৰ অৰ্থ নিবৃত্তি অৰ্থাৎ পৰমানন্দ, সেইদেখি কৃষ্ আৰু মূৰ্দ্ধন্য ণৰ মিলনৰ অৰ্থ, অস্তিত্ব বা সত্তাৰে সৈতে পৰমানন্দৰ মিলন। অৰ্থাৎ অস্তিত্ব, চৈতন্য আৰু পৰমানন্দৰ মিলনৰ নামেই কৃষ্ণ। অৰ্থাৎ যি বস্তুত চৈতন্য আৰু পৰমানন্দৰ অস্তিত্বৰ বাহিৰে আৰু একো নাই, সেই বস্তুৱেই কৃষ্ণ। অৰ্থাৎ কৃষ্ণ সৎ, চিৎ আৰু আনন্দস্বৰূপ। বেদত পৰমব্ৰহ্মৰ স্বৰূপ লক্ষণ নিৰ্দ্দেশ কৰিছে,— সৎ, চিৎ, আনন্দ।

তৈত্তিৰীয় উপনিষদত আছে, ভৃগুৱে তেওঁৰ পিতাক বৰুণৰ ওচৰলৈ আহি বৰুণক 'অধীহি ভগৱো ব্ৰহ্মেতি' এই বুলি ব্ৰহ্মজিজ্ঞাসা কৰিলত বৰুণে পুতেকৰ প্ৰশ্নৰ সাক্ষাৎ কোনো উত্তৰ নিদি পুতেকক কলে—'এই বিষয়ত একাগ্ৰভাৱে চিন্তা অৰ্থাৎ ধ্যান কৰা।' ভৃগুৱে বাপেকৰ উপদেশ মতে ধ্যান কৰি এই সিদ্ধান্তত উপনীত হ'ল যে 'অন্নই ব্ৰহ্ম।' বৰুণে এই সিদ্ধান্ত শুনি ভৃগুক কলে—'ঠিক হোৱা নাই, আকৌ ধ্যান কৰা।' ভৃগুৱে এই বাৰ ধ্যান কৰি পালে যে 'প্ৰাণেই ব্ৰহ্ম'। বৰুণে এইবাৰো ঠিক হোৱা নাই বুলি তেওঁক আকৌ ধ্যান কৰিবলৈ কলে। এইদৰে ধ্যান কৰোঁতে কৰোঁতে শেষত ভৃগুৰ হৃদয়ত ব্ৰহ্মৰ স্বৰূপ প্ৰতিভাত হ'ল আৰু তেতিয়া ভৃগুৱে উপলব্ধি কৰিলে যে 'ব্ৰহ্ম সচ্চিদানন্দ।'

এই কথাৰ প্ৰসঙ্গতে দেখিবলৈ পোৱা যায়, যে প্ৰাচীন কালত গুৰুৱে শিষ্যক অনেক স্থলত মৌখিক উপদেশ নিদি, শিষ্যই যাতে স্বয়ংজ্ঞান নিজে উপলব্ধি কৰি তাক আয়ত্ব কৰিব পাৰে তাৰ উপায় কৰি

দিছিল। এইদৰে ব্ৰহ্মবিদ্যা পৰপ্ৰত্যয়সিদ্ধ নহৈ আত্মদৃষ্টিগত হৈ বেছি কাৰ্য্যকৰী হয় আৰু সেই শিষ্য প্ৰকৃত ঋষি হয়। এইদৰে শাস্ত্ৰত আছে—

গুৰোস্তু মৌনং ব্যাখ্যানম্।
শিষ্যাস্তু ছিন্নসংশয়ঃ॥

অৰ্থাৎ গুৰুৱে যদিও মৌখিক কোনো উপদেশ নিদিয়ে; কিন্তু শিষ্যসকলৰ সংশয় ছিগে। তৈত্তিৰীয় উপনিষদত আছে-'সত্যং জ্ঞানমনন্তং ব্ৰহ্ম।' 'বিজ্ঞানং ব্ৰহ্ম।' 'আনন্দং ব্ৰহ্ম ইতি ব্যজানাৎ।' বৃহদাৰণ্যকত আছে—'বিজ্ঞানম্ আনন্দং ব্ৰহ্ম।' নৃসিংহতাপনীয় উপনিষদত,—'সচ্চিদানন্দময়ং পৰং ব্ৰহ্ম।' মৈত্ৰীত,—'সৰ্ব্বপূৰ্ণস্বৰূপোঽহস্মি সচ্চিদানন্দলক্ষণঃ।' ব্ৰহ্মৰ এই এটাইবোৰ ভাব সংগ্ৰহ কৰি সৰ্ব্বোপনিষৎসাৰত এইদৰে কৈছে,—'সত্যং জ্ঞানম্ অনন্তম্ আনন্দং ব্ৰহ্ম।'

ব্ৰহ্মক সৎ বুলিলে কি বুজায়? ইয়াকে বুজায় যে তেওঁৰ সত্তাতেই জগতৰ সত্তা। তেওঁ আছে বুলিয়েই জগৎ আছে। কিন্তু জগতৰ সত্তা ক্ষৰ, বিকাৰশীল, বিনাশশীল, ব্ৰহ্ম অক্ষয়, অজৰ, অমৰ। যাৰ সদায় ৰূপৰ ব্যভিচাৰ নহয়, সিয়েই সত্য। ব্ৰহ্ম সত্য, সেইদেখি তেওঁৰ ক্ষয়-বৃদ্ধি নাই, উৎপত্তি-বিনাশ নাই। কঠোপনিষদত কৈছে-'ন জায়তে ম্ৰিয়তে বা বিপশ্চিৎ।' 'অজো নিত্যঃ শাশ্বতোঽয়ং পুৰাণঃ।' অৰ্থাৎ তেওঁ সৰ্ব্বদেশত, সৰ্ব্বকালত, সকলো অৱস্থাত একেদৰে বিদ্যমান আছে। বেদান্তৰ পঞ্চদশী নামৰ গ্ৰন্থত লেখিছে,—'মাসাব্দযুগকল্পেষু গতা গম্যেষ্বনেকধা। নোদেতি নাস্তমায়াতি সম্বিদেষা স্বয়ংপ্ৰভা।' অৰ্থাৎ মাহ, বছৰ, যুগ, মন্বন্তৰ, কল্প, কোনো কালতেই যে তেওঁ নাছিল এনে নহয়। তেওঁ নিত্য, তেওঁ স্থাণু, তেওঁ অচল, তেওঁ সনাতন।

ব্ৰহ্মক চিৎস্বৰূপ বুলিলে কি বুজায়? ইয়াকে বুজায় যে তেওঁ চৈতন্যশক্তি জ্ঞানস্বৰূপ। 'সত্যং জ্ঞানমনন্তং ব্ৰহ্ম।' (তৈত্তিৰীয় উপনিষদ) অৰ্থাৎ তেওঁ স্বয়ংজ্যোতি, স্বপ্ৰকাশ। তেওঁক অন্য পদাৰ্থই প্ৰকাশ কৰিব নোৱাৰে, তেওঁ নিজকে নিজে প্ৰকাশ কৰে।

'আত্মৈবাস্য জ্যোতিৰ্ভৱতি' 'ব্ৰহ্মৈৱ তেজ এৱ।' (বৃহদাৰণ্যক) অৰ্থাৎ ব্ৰহ্ম পৰম জ্যোতি। তেৱেঁই তেজ। তেওঁৰ জ্যোতিতেই সমস্ত জ্যোতি জ্যোতিষ্মান, তেওঁৰ তেজেৰে সমস্ত আলোক দ্যুতিমান। কঠ, শ্বেত, আৰু মুণ্ডক উপনিষদত এই কথাকেই বাৰে বাৰে কৈছে যে—

ন তত্ৰ সূৰ্য্যো ভাতি ন চন্দ্ৰতাৰকং নেমা বিদ্যুতো
ভান্তি কুতোঽয়মগ্নিঃ।
তমেৱ ভান্তমনুভাতি সৰ্ব্বং তস্য ভাসা সৰ্ব্বমিদং বিভাতি॥

অৰ্থাৎ তাত সূৰ্য্যৰ পোহৰ নাই, চন্দ্ৰ-তৰাৰ পোহৰ নাই, বিজুলীয়ে তাত পোহৰ নিদিয়ে, অগ্নি তাত কত? তেওঁৰ পোহৰেৰেই সকলো পোহৰ, তেওঁৰ প্ৰকাশেৰেই সকলো প্ৰকাশিত। গীতাতো ভগৱন্তই এই কথাকেই কৈছে—

যদাদিত্যগতং তেজো জগদ্ভাসয়তেঽখিলং।
যচ্চন্দ্ৰমসি যচ্চাগ্নৌ তত্তেজো বিদ্ধি মামকম্॥

অৰ্থাৎ সূৰ্য্যৰ যি তেজ সমস্ত জগতকে উদ্ভাসিত কৰে, চন্দ্ৰ আৰু অগ্নিত যি তেজ, সেই তেজ মোৰেই।

ব্ৰহ্ম জ্ঞানস্বৰূপ। তেওঁ চিৎ চৈতন্যময়। আমি যাক প্ৰকৃতি বোলোঁ, জড়বৰ্গ তাৰেই বিকাৰ। ব্ৰহ্ম তাৰপৰা স্বতন্ত্ৰ, চৈতন্যস্বৰূপ। চিতৰ এটি লক্ষণ স্বপ্ৰকাশত্ব অৰ্থাৎ চিতে নিজকে নিজে প্ৰকাশ কৰে, চিতক প্ৰকাশ কৰিবৰ নিমিত্তে আন পদাৰ্থৰ প্ৰয়োজন নহয়। জড় পদাৰ্থৰ দৃষ্টান্ত দি এইটো বুজাবলৈ গলে সূৰ্য্যৰ দৃষ্টান্ত দিব পাৰি। সূৰ্য্য স্বপ্ৰকাশ। সূৰ্য্যই আনক যেনেকৈ প্ৰকাশ কৰে, নিজকো প্ৰকাশ কৰে। কিন্তু সূৰ্য্যও যিজনৰ তেজেৰে তেজীয়ান্, যাৰ জ্যোতিৰে জ্যোতিষ্মান সেইজনেই ব্ৰহ্ম। 'তমেৱ ভান্তমনুভাতি সৰ্ব্বম্ তস্য ভাসা সৰ্ব্বমিদং বিভাতি।'

বিষয়ৰ সংযোগত ইন্দ্ৰিয়ৰ স্পন্দন উদ্ভূত হয়। সেই স্পন্দন ইন্দ্ৰিয়ৰ প্ৰণালীৰ দ্বাৰাই মস্তিষ্ক পায়গৈ। তাৰ পিছত বিজ্ঞানময় কোষলৈ গৈ জ্ঞানত পৰিণত হয়। বৈদান্তিকে কয় যে যেনেকৈ পোহৰে ঘটাদি পদাৰ্থক পোহৰাই প্ৰকাশ কৰে, সেইদৰে বুদ্ধিস্থ ব্ৰহ্মজ্যোতিৰে চিত্তবৃত্তি উজ্জ্বলিত হৈ জ্ঞানৰ আকাৰেৰে প্ৰকাশিত হয়। যেনেকৈ স্ফটিক জবা ফুলৰ সংযোগত ৰঙা হয়, নীলা ফুল এটাৰ সংযোগত নীলা হয়, অথচ বাস্তৱিকতে স্ফটিকৰ বৰণ নাই, সেইদৰে চিৎস্বৰূপ ব্ৰহ্ম বা পৰমাত্মাক বিভিন্ন চিত্তবৃত্তিৰ সংযোগত সেই সেই বৃত্তিৰ চিনিনা দেখি; অৰ্থাৎ তেওঁ দুখী সুখী, লোভী কামী এনে যেন দেখি। এই বিভিন্নতা উপাধিৰ নিমিত্তে, বাস্তৱিক নহয়। বাস্তৱিকতে চিৎ নিত্যবস্তু। কোনো কালে কোনো অৱস্থাতে ইয়াৰ বিকৃতি নঘটে। সাৰে থাকোঁতে যিবোৰ জ্ঞানৰ বিষয়, স্বপ্নাৱস্থাত সেইবোৰ নাথাকে। আকৌ স্বপ্নাৱস্থাত যিবোৰ জ্ঞানৰ বিষয়, সুষুপ্তি অৱস্থাত সেইবোৰ নাথাকে। কিন্তু চিৎ জাগ্ৰত স্বপ্ন আৰু সুষুপ্তি এই তিনিও অৱস্থাতে বিদ্যমান থাকে।

পৰমব্ৰহ্ম আনন্দস্বৰূপ। ব্ৰহ্মক আনন্দস্বৰূপ বুলিলে কি বুজায়? উপনিষদত লেখিছে 'আনন্দো নাম সুখচৈতন্যস্বৰূপো অপৰিমিতানন্দসমুদ্ৰ অবিশিষ্টসুখৰূপশ্চ আনন্দ ইত্যুচ্যতে।' অৰ্থাৎ ব্ৰহ্মক আনন্দ বুলিলে এই বুজায় যে তেওঁ সুখৰূপ অথচ চিৎস্বৰূপ। তেওঁ অপৰিমিত আনন্দ-সমুদ্ৰ। তেওঁ নিৰ্বিশেষ সুখ। সেই আনন্দ বিষয়-সুখ নহয়। সি সাধাৰণ সুখ-দুখৰ

অতীত অৱস্থা। 'আনন্দং নন্দনাতীতম্।' ব্ৰহ্মৰ যে ভূমানন্দ, জীৱই তাৰ এক কণিকা মাথোন পায়, আৰু সেই কণিকাতেই জীৱ মগ্ন। 'ৰসো বৈ সঃ। ৰসং হ্যেৱায়ং লব্ধ্বানন্দীভৱতি। কো হ্যেৱান্যাৎ কঃ প্ৰাণ্যাৎ। যদেষ আকাশ আনন্দো ন স্যাৎ। এষ হ্যেৱানন্দয়াতি।' (তৈত্তিৰীয় উপনিষদ) অৰ্থাৎ ব্ৰহ্মই ৰস। ৰস আস্বাদন কৰি জীৱ আনন্দী হয়। যদি আনন্দস্বৰূপ আকাশ (ব্ৰহ্ম) নাথাকিলহেঁতেন তেন্তে কোন জীয়াই থাকিলহেঁতেন। তেৱেঁই আনন্দিত কৰে। 'এতস্যৈৱ আনন্দস্য অন্যানি ভূতানি মাত্ৰামুপজীৱন্তি।' জীৱই যে বিষয়ত আনন্দ উপভোগ কৰে, তাৰ কাৰণ এই যে বিষয়ৰ মাজত সেই ৰস-স্বৰূপ ব্ৰহ্মৰ কণিকা প্ৰচ্ছন্ন আছে।

মানুহে সদায় সুখ বিচাৰে, কেতিয়াও মৰিব নোখোজে অৰ্থাৎ আত্মাক হেৰুৱাব নোখোজে। ইয়াৰ কাৰণ কি? কাৰণ, আত্মা সুখস্বৰূপ। আন বস্তু বা মানুহত যে আমাৰ মৰম সোমায় বা সেই বস্তু বা মানুহ আমাৰ প্ৰিয় হয়, তাৰ কাৰণ সেই বস্তু বা মানুহত আনন্দস্বৰূপ ব্ৰহ্ম আছে। বৃহদাৰণ্যক উপনিষদত এই কথাকে বহলাই কৈছে—'স হোৱাচ ন অৰে পত্যুঃ কামায় পতিঃ প্ৰিয়ো ভৱত্যাত্মনস্তু কামায় পতিঃ প্ৰিয়ো ভৱতি।' ইত্যাদি অৰ্থাৎ পতিৰ কামনাৰ নিমিত্তে পতি প্ৰিয় নহয়, আত্মাৰ কামনাৰ নিমিত্তেই পতি প্ৰিয়। জায়া, পুত্ৰ, বিত্ত, লোক, এইবোৰৰ কামনাৰ নিমিত্তে যে এইবোৰ প্ৰিয় হয় এনে নহয়; এইবোৰৰ ভিতৰত যে প্ৰচ্ছন্ন আত্মা আছে, সেই আত্মাকেহে কামনা কৰা যায় দেখি এইবোৰ প্ৰিয় হয়।

ওপৰৰ কথাৰ মৰ্ম্ম এই যে জীৱই বিষয়ৰ সংস্পৰ্শত যিবোৰ সুখ অনুভৱ কৰে, তেতিয়া বাস্তৱিকতে জীৱই পৰম আনন্দস্বৰূপ ব্ৰহ্মানন্দৰ কণিকা এটিৰ মাথোন আস্বাদন কৰে। সেইদেখি জীৱই যেতিয়া সুখৰ লোভত বিষয় কামনা কৰে, তেতিয়া বাস্তৱিক সি সুখস্বৰূপ ব্ৰহ্মকেই কামনা কৰে, অথচ সৰহ সময়ত আৰু সৰহ ভাগে সেইটো নাজানিয়েই কৰে। শ্ৰুত্যুক্ত এই কথাৰেই আভাস গীতাত আছে:-

মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয়।
ময়ি সৰ্ব্বমিদম্ প্ৰোতং সূত্ৰে মণিগণা ইব।।
মম বৰ্ত্মানুবৰ্ত্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্ব্বশঃ।।

ব্ৰহ্ম আনন্দস্বৰূপ কিয়? কাৰণ, ব্ৰহ্মত দুখৰ একেবাৰেই অভাৱ; সেই দেখি তেওঁ সুখ স্বৰূপ। ব্ৰহ্ম ভূমা, অনন্ত, দ্ৰষ্টা আৰু দৃশ্যৰ, বিষয়ী আৰু বিষয়ৰ একাকাৰ অৱস্থা; সেইদেখি তেওঁ আনন্দ। 'যো বৈ ভূমা তৎসুখম্। ন হ্যল্পে সুখম্ অস্তি। ভূমৈৱ সুখম্।' (ছান্দোগ্য উপনিষদ)। অৰ্থাৎ ব্ৰহ্ম ভূমা, তেৱেঁই সুখ। অল্পত সুখ নাই। ভূমাই সুখ। 'যো বৈ ভূমা তদমৃতম্। অথ যদল্পং তৎ মৰ্ত্ত্যম্।' অৰ্থাৎ যি ভূমা, তেৱেঁই অমৃত। যি অল্প, সি মৰ্ত্ত্য।

'আনন্দং ব্ৰহ্মণো বিদ্বান্। ন বিভেতি কুতশ্চন।' (তৈত্তিৰীয়)। ব্ৰহ্মক আনন্দ বুলি জানিলে অৰ্থাৎ ব্ৰহ্মানন্দ জানিলে ক'তো একো ভয় নাথাকে। জীৱৰ সুষুপ্তি অৱস্থাত এনেকুৱা একাকাৰ অৱস্থা হয়। কাৰণ তেতিয়া বিষয়-বিষয়ী জ্ঞান নাথাকে। ব্ৰহ্মত প্ৰতিষ্ঠিত হৈ ব্ৰহ্মানন্দ অনুভৱ কৰিলে এনে অৱস্থা প্ৰাপ্ত হোৱা যায়। কথাৰে বুজাব পৰা এই অৱস্থাৰ উদাহৰণ বৃহদাৰণ্যক উপনিষদত এইদৰে দিছে—

'তদ্ যথা প্ৰিয়য়া স্ত্ৰিয়া সম্পৰিষ্বক্তো ন বাহ্যন কিঞ্চন বেদ।
অত্ৰ পিতাহপিতা ভৱতি, মাতাহমাতা লোকা আলোকা চণ্ডালোহচণ্ডালঃ' ইত্যাদি।

অৰ্থাৎ সেই সুষুপ্তি অৱস্থাত জীৱই সুপ্ত হৈ কোনো কাম নকৰে, কোনো স্বপ্ন নেদেখে। যেনেকৈ প্ৰিয়তমা ৰমণীৰ দ্বাৰাই আলিঙ্গিত হৈ মানুহে অন্তৰ-বাহিৰ একোকে জানিব নোৱাৰে, সেই অৱস্থাত পিতা পিতা হৈ নাথাকে, মাতা মাতা হৈ নাথাকে, লোক লোক হৈ নাথাকে, বেদ বেদ হৈ নাথাকে, চণ্ডাল অচণ্ডাল হয়; তেতিয়া জীৱসকলো পাপ-পুণ্যৰ অতীত হয়, আৰু হৃদয়ৰ সকলো শোক দূৰ হয়।

যি ভূমানন্দ, সি বাক্য-মনৰ অতীত, তাৰ পৰিমাণ ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। সেইদেখি তৈত্তিৰীয় উপনিষদত কৈছে :—

যতো বাচো নিৰৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ।
আনন্দং ব্ৰহ্মণো বিদ্বান্ ন বিভেতি কদাচন।

অৰ্থাৎ যাক ধৰিব নোৱাৰি বাক্য আৰু মন উভতি আহে, সেই আনন্দস্বৰূপ ব্ৰহ্মক জানিলে আৰু একোতে ভয় নাথাকে।

সুষুপ্তি জীৱৰ স্বাভাৱিক অৱস্থা। কিন্তু এই অৱস্থা স্থায়ী নহয়। টোপনি ভাগিলে এই অৱস্থা নাইকিয়া হয়। তেতিয়া জীৱই এই ব্ৰহ্মানন্দ এৰি আকৌ দুখ-শোকৰ অৱস্থাৰ জগতলৈ উভতি আহিব লগীয়াত পৰে। কিন্তু সাধু আৰু যোগীসকলে সাধনাৰ বলেৰে এই অৱস্থাক স্থায়ী কৰিব পাৰে। তেতিয়া তেওঁলোকৰ স্থায়ী ব্ৰহ্মানন্দ লাভ হয়।

বেদোক্ত পৰম ব্ৰহ্মৰ স্বৰূপ লক্ষণ এনে সৎ চিৎ আনন্দ। বেদ বিভাগ কৰোঁতা, বেদৰ অন্ত বেদান্ত-দৰ্শন প্ৰণেতা, সৰ্ব্ব উপনিষদৰ সাৰভাগ সঙ্কলন কৰি মহাশাস্ত্ৰ গীতা ৰচনা কৰোঁতা, অষ্টাদশ পুৰাণ

বচোঁতা আৰু পুৰাণৰ ভিতৰত মহাসূৰ্য্য, নিগম কল্পতৰুৰ বিগলিত ফল শ্ৰীমদ্ভাগৱত ৰচনা কৰি শুকক পঢ়াই সেই ফল ক্ষুধিত জগতক বিলাই দিওঁতা, সত্যৱতীসুত মহৰ্ষি বেদব্যাসে শ্ৰীমদ্ভাগৱতত প্ৰতিজ্ঞা কৰি কৈছে—'ঈশ্বৰঃ পৰমঃ কৃষ্ণ সচ্চিদানন্দ-বিগ্ৰহঃ।' সেইদেখি বেদোক্ত পৰম ব্ৰহ্ম আৰু দৈৱকী-নন্দন শ্ৰীকৃষ্ণ একে বস্তু। সেইদেখি ব্ৰহ্মৰ স্বৰূপ লক্ষণ নিৰ্দ্দেশক বেদমন্ত্ৰ উচ্চাৰণ কৰা আৰু কৃষ্ণ নাম কীৰ্ত্তন কৰা একে বস্তু।

অদ্বিতীয় সৎ চিৎ আনন্দস্বৰূপ বস্তুৰেই পৰম তত্ত্ব শ্ৰীকৃষ্ণ। জ্ঞানীসকলে এই পৰম তত্ত্বকেই সৎ অৰ্থাৎ সত্ত্ব-প্ৰধান ব্ৰহ্ম বুলি ভাবে; যোগীসকলে চিৎ অৰ্থাৎ চৈতন্য-প্ৰধান পৰমাত্মা বুলি ধ্যান কৰে আৰু প্ৰেমিক ভক্তই আনন্দ-প্ৰধান চিদানন্দঘন ভগৱন্ত বুলি সেৱা কৰে। আকৌ কৰ্ম্মীসকলে ঐহিক ধন-জন-বিষয়-বিভূতি আৰু পাৰলৌকিক স্বৰ্গ-সুখৰ কামনা কৰি এই পৰমতত্ত্ব বস্তুকেই নানা দেৱতাৰূপে উপা-সনা কৰে। যি তেওঁক যেনে চকুৰেই দেখে তেওঁ তেনেকুৱাই। কংসৰ সভাত—

কৰিলা প্ৰকাশ ৰাম সমে সমজ্যাত।
দেখে দশ প্ৰকাৰে কৃষ্ণক সিবেলাত॥
মল্লে বোলে কিনো বজ্ৰময় কলেবৰ।
অন্যজনে বোলে এহেন্তেসে নৰবৰ॥
নাৰীগণে বোলে মূৰ্ত্তি ধৰিলা মদনে।
আমাৰেসে বন্ধু বুলি মানে গোপগণে॥
আমাৰেসে শাস্তা বোলে দুষ্ট ৰাজাচয়।
বসুদেৱ দৈৱকীও বোলয় তনয়॥
কংসে বোলে এহি কৃষ্ণ অন্তক আমাৰ।
অজ্ঞানীসকলে বোলে নন্দৰ কুমাৰ॥
যোগীগণে বোলে এহেন্তেসে ব্ৰহ্মতত্ত্ব।
বৃষ্ণিবংশে বোলে এন্তে কুলৰ দৈৱত॥

—শঙ্কৰদেৱ

যি যেনেকৈ তেওঁক ভজনা কৰে, বাঞ্ছাকল্পতৰু সমদৰ্শী তেওঁ তাক তেনেকুৱা ফলকেই দিয়ে। গীতাত তেওঁ নিজমুখে তাকেই স্পষ্টকৈ কৈ দিছে,—

যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈৱ ভজাম্যহং।
মম বৰ্ত্মানুৱৰ্ত্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্বশঃ॥

আনন্দঘন ভগৱন্তৰ উপাসনা জীৱমাত্ৰৰে স্বাভা-বিক। জীৱই জন্মৰেপৰা মৃত্যু পৰিবিত কেৱল কৃষ্ণকেই অনুসন্ধান কৰি ফুৰিছে। মূৰ্ত্তিমান আনন্দই শ্ৰীকৃষ্ণ। জীৱই আনন্দৰ বাহিৰে একো নিবিচাৰে আৰু আনন্দৰ বাহিৰে নিজীয়ে, এই কথা শ্ৰুতিৰ বচন তুলি আগেয়ে দেখুৱা হৈছে। কিন্তু প্ৰকৃত আনন্দ কাক বোলে, আনন্দ ক'ত আছে আৰু তাক কেনেকৈ পোৱা যায়, জীৱই নাজানে। সেইদেখি স্ত্ৰী-পুত্ৰ-পৰিবাৰ, ধন, জন, আদি পাৰ্থিব ক্ষণভঙ্গুৰ পদাৰ্থৰ ভিতৰত জীৱই আনন্দ বিচাৰি ফুৰে অথচ শ্ৰীকৃষ্ণৰ পাৰলৈ আশা কৰে। যদি কোনো জীৱই মূৰ্ত্তিমান আনন্দস্বৰূপক ধৰিব পাৰে, তেওঁ ক্ষণভঙ্গুৰ ক্ষণস্থায়ী আনন্দৰ পিছে পিছে আৰু লৰি নুফুৰে।

জীৱৰ আনন্দলিপ্সা বৰ বেছি। কিয়? কাৰণ জীৱ আনন্দস্বৰূপ ভগৱন্তৰে অংশ। আনন্দময় ঈশ্বৰ নিজানন্দ আস্বাদন কৰি সুখী। তেওঁৰ অংশ জীৱৰো আস্বাদন কৰিবৰ বলৱন্ত বাসনা এই নিমিত্তে। কিন্তু আনন্দ আস্বাদন কৰিবৰ নিমিত্তে ঈশ্বৰে নিজক বহু কৰিব লগীয়া হ'ল; কাৰণ আন কোনোৱে আস্বাদন নকৰিলে আনন্দৰ মানেই নাথাকে। এই বাবেই শ্ৰুতিত কৈছে 'আত্মা বা ইদমগ্ৰ আসীৎ' অৰ্থাৎ তেওঁ সৃষ্টিৰ আদিতে একমেবাদ্বিতীয়ম্, নিজানন্দময়, আত্মাৰাম, তেওঁৰ সিসৃক্ষা হ'ল, অৰ্থাৎ তেওঁ বহু হৈ নানাভাবে আনন্দ আস্বাদন কৰিবৰ ইচ্ছা কৰিলে—'একোঽহং বহুস্যাম্।' অৰ্থাৎ এক মই বহু হম। এয়েই মোৰ লীলা। লীলাই আনন্দৰ স্বভাৱ। আনন্দই লীলাৰ আস্বাদ। মানুহে আনন্দৰ নিমিত্তেই ক্ৰীড়া কৰে আৰু ক্ৰীড়া কৰিলেই আনন্দ আস্বাদন কৰে। মানুহৰ কোনো ৰকম অভাৱ বোধ হলে তাক তেওঁৰ পূৰণ কৰিবৰ ইচ্ছা হয়। পূৰ্ণানন্দ ঈশ্বৰৰ কোনো ৰকম অভাৱ নাই, গতিকে ইচ্ছাও নাই। তেওঁ নিজেই নিজানন্দ আস্বাদন কৰি পৰিতৃপ্ত। কিন্তু সেই আনন্দ অপৰিস্ফুট। লীলা নহলে আনন্দ পৰিস্ফুট নহয়, সেইদেখি তেওঁ আত্মপ্ৰেমেৰে আত্মানন্দ কৰি প্ৰেমাংশক শত-সহস্ৰ ভাগত বিভাগ কৰি নিজাংশৰ দ্বাৰাই নিজা-নন্দকে আস্বাদন কৰে। এয়ে তেওঁৰ লীলা।

তুমি শুদ্ধ বুদ্ধ নিত্য নিৰ্ম্মল নিৰ্গুণ দেৱ,
মোৰ প্ৰভু নাৰায়ণ এ,
স্বৰূপ আনন্দে সদা সুখী।
হৰি হৰি তুমি নিজানন্দে সদা সুখী।
আমি মূঢ়মতি মোৰ অবিদ্যা সাগৰে মজি,
মোৰ প্ৰভু নাৰায়ণ এ,
তোমাক নাজানি ভৈলোঁ দুখী।
হৰি হৰি স্বৰূপ নাজানি ভৈলো দুখী।
হৰি এ।' (ঘোষা)

বিশ্বপতি লীলাময়ৰ ইচ্ছাত যেনেকৈ তেওঁৰ বিশ্বৰ একাংশ তিনি গুণৰ সংযোগত মলিন আৰু স্থূল হৈ ব্ৰহ্মাণ্ডৰূপত পৰিণত হ'ল, সেই দৰে তেওঁৰ অসংখ্য অংশ শুদ্ধ জীৱৰ কিছুমান তেওঁৰ অমোঘ নিয়মতেই পঞ্চভূতাত্মক স্থূল শৰীৰেৰে আবৃত হৈ, তেওঁৰ মায়াৰ দ্বাৰাই মুগ্ধ হৈ তেওঁক পাহৰি এই দেহকেই মোৰ, মই 'বিবেচনা কৰিবলৈ ধৰিলে।

অখণ্ডিত সদা শুদ্ধ চৈতন্য শক্তিৰ বলে
মোৰ প্ৰভু নাৰায়ণ এ,
তুমি দূৰ কৰি আছা মায়া ।
হৰি হৰি তোমাৰ নিকটে নাহি মায়া ।
তোমাক নভজোঁ পদে, মায়ায়ে মুহিলে মোক,
মোৰ প্ৰভু নাৰায়ণ এ,
আৰে কৃপাময় কৰা দয়া ।
হৰি হৰি মায়াক নিবাৰি কৰা দয়া হৰি এ।
(ঘোষা)

যদিও ফাটেকৰ বহুদিনীয়া কয়েদীৰ নিচিনাকৈ জীৱই শেহত দেহ-ফাটককে ভাল পাই তাৰপৰা ওলাব নোখোজে, কিন্তু জীৱৰ চিৰাস্বাদিত আনন্দৰ প্ৰতি টান অন্তৰৰ পৰা নাযায় । এই বাবে মুগ্ধ জীৱই কি বিচাৰিছে, নিজেই নাজানে । জীৱই বিচাৰিছে, আগেয়ে আস্বাদ কৰা সেই আনন্দ কিন্তু ক'ত আৰু কিহত সেই আনন্দ আছে, তাৰ ভু নাপাই পাৰ্থিব ক্ষন্তেকীয়া বস্তুত তাক বিচাৰি হাৰাশাস্তি হৈ মৰে অথচ নাপায় । জীৱৰ স্বাভাৱিক আনন্দ-লিপ্সাই কৃষ্ণপ্ৰেমৰ সংস্কাৰ, আৰু উপকৰা পদাৰ্থপ্ৰিয়তাই কাম।

বস্ত্ৰহৰণ-তত্ত্ব

শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ প্ৰকৃত তাৎপৰ্য্য নাজানি অনেকে, আনকি অনেক কৃষ্ণ-ভক্তইও তাক অশ্লীল, এতেকে পঢ়িবৰ বা শুনিবৰ যোগ্য নহয়, এনেকৈ ভাবে । অনেকে তাক ৰূপক বুলি কৈ গা সাৰে । অনেকে প্ৰক্ষিপ্ত বোলে । সুবিখ্যাত বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায় কৃষ্ণভক্ত আছিল কিন্তু তেওঁ ভাবিছিল, ৰাসলীলাদি বৃন্দাবনলীলা প্ৰক্ষিপ্ত আৰু অতিৰঞ্জিত ; সাংসাৰিক বিষয়ত পৰম অভিজ্ঞ ৰাজনীতিজ্ঞ শ্ৰেষ্ঠাতিশ্ৰেষ্ঠ দাৰ্শনিক, পৰম তত্ত্বজ্ঞ, মহাভাৰতোক্ত আৰু গীতাৰ শ্ৰীকৃষ্ণহে আচল শ্ৰীকৃষ্ণ । এই বাবে এৰিব নোৱাৰা শ্ৰীকৃষ্ণক আজি-কালিৰ পাশ্চাত্য বিদ্যাত শিক্ষিত-সকলৰ নিমিত্তে, বৃন্দাবন আদি অলৌকিক কথাবোৰ তেওঁৰ গাৰ পৰা ধুই-মচি জাবিকুকি পেলাই চাফ্-চিকুণকৈ ল'ব লাগে ।

এদিন ৰামকৃষ্ণ পৰমহংসক তেওঁৰ ভক্ত এজনে কৈছিল—"মহাশয় ! অমুক বাবুৱে শ্ৰীকৃষ্ণৰ বিষয়ে এখন কিতাপ লিখিছে, কিন্তু তেওঁ বৃন্দাবনলীলা নামানে।"

কথাটো শুনি পৰমহংসই কলে—"লেক্‌চাৰ, সন্ধিবিগ্ৰহ, ৰাজ্যশাসন এইবোৰতো মানুহে পাৰে । শ্ৰীকৃষ্ণৰ ঈশ্বৰত্ব বৃন্দাবনলীলাত । বৃন্দাবনলীলা বাদ দিলে, তেওঁৰ ঈশ্বৰত্ব থাকে ক'ত ?

ৰাসলীলাৰ আচল তত্ত্ব নুবুজা পল্লবগ্ৰাহীসকলেতো ৰাসলীলাক অশ্লীল বা ৰূপক বা প্ৰক্ষিপ্ত বোলে কিন্তু শ্ৰীমদ্ভাগৱতত তত্ত্বদৰ্শী ভক্ত যোগী শুকদেৱে কি কয় শুনা :—

বিক্ৰীড়িতং ব্ৰজবধূভি ৰিদং চ বিষ্ণোঃ
শ্ৰদ্ধান্বিতোঽনুশৃণুয়াদথ বৰ্ণয়েৎ যঃ ।
ভক্তিং পৰাং ভগৱতি প্ৰতিলভ্য কামং
হৃদ্ৰোগমাশ্বপহিনোত্যচিৰেণ ধীৰঃ ॥

অৰ্থাৎ ব্ৰজবধূসকলেৰে সৈতে বিষ্ণুৰে ক্ৰীড়া কৰা এই ৰাসলীলা যি শ্ৰদ্ধাৰে সৈতে শ্ৰৱণ বা বৰ্ণনা কৰে, সি ভগৱন্তত পৰাভক্তি লাভ কৰি অচিৰতে ধীৰ হয়, আৰু হৃদৰোগ কাম তাৰ একেবাৰে নিবৃত্তি হয় । আমাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱেও কয়—

গোপী গোপালৰ কামকেলি ইটো
শুনে ভণে যিটো জনে ।
কামক জিনিবে অল্পতে বাঢ়িবে
ভকতি কৃষ্ণ-চৰণে ॥

বস্ত্ৰহৰণলীলা ৰাসলীলাৰ পাতনি । বস্ত্ৰহৰণত ভক্ত গোপীসকলৰ বেদোক্ত অদ্বৈত জ্ঞানৰ পৰীক্ষা হয় । সেই পৰীক্ষাত গোপীসকল উঠিব নোৱাৰিলে । সেই বাবে পৰম বন্ধু শ্ৰীকৃষ্ণই তেওঁলোকক তেতিয়াও অযোগ্য জানি ঘৰলৈ ওভোতাই পঠিয়াই পৰীক্ষাত উত্তীৰ্ণ হবলৈ এবছৰ সময় দিলে । বস্ত্ৰহৰণলীলা সংক্ষেপতে এই হেমন্ত কালৰ প্ৰথম মাহতে নন্দ-ব্ৰজৰ কুমাৰীসকলে হবিষ্য কৰি কাত্যায়নীৰ অৰ্চ্চন-ৰূপ ব্ৰত আৰম্ভ কৰিলে ।

এইখিনিতে চাব লাগিব যে ব্যাসদেৱে এই ব্ৰত কৰোঁতা ব্ৰজগোপীসকলক কুমাৰিকা বুলিছে । অনূঢ়া বালিকাক কুমাৰী বোলে । 'কুমাৰী' শব্দত অল্পাৰ্থে 'কন' প্ৰত্যয় কৰিলে 'কুমাৰিকা' শব্দ হয়। এইদেখি কুমাৰিকা মানে বৰ কম বয়সীয়া বালিকাক বুজায় । শ্ৰীকৃষ্ণৰ তেতিয়া পৌগণ্ড বয়স । পঞ্চম বছৰ বয়সৰপৰা দশম বছৰ বয়সলৈকে পৌগণ্ড অৱস্থা বোলে অৰ্থাৎ শ্ৰীকৃষ্ণ তেতিয়া ন-দহ বছৰীয়া শিশু । কুমাৰিকা অৰ্থাৎ অতি অলপ বয়সীয়া ছোৱালী গোপীসকলৰ যে তেনেকুৱা অলপ বয়সীয়া কৃষ্ণৰ প্ৰতি অনুৰাগত মলিনতা আছে এইটো ভাবিবই নোৱাৰি ।

কুমাৰীসকলে অৰুণোদয়তে কালিন্দীৰ জলত স্নান কৰি, পানীৰ কাষতে বালুকাময়ী প্ৰতিমা নিৰ্ম্মাণ কৰি, ধূপ-দীপ-নৈবেদ্য দি কাত্যায়নীক পূজা কৰি প্ৰাৰ্থনা কৰিছিল—'হে কাত্যায়নী ! হে মহামায়া ! নন্দগোপৰ পুতেক শ্ৰীকৃষ্ণক আমাৰ স্বামী কৰি দিয়া ।' সেই ছোৱালীবিলাকে দিনৌ প্ৰত্যুষতে উঠি

পৰস্পৰে পৰস্পৰৰ বাহুত ধৰি কালিন্দীত স্নান কৰিবলৈ যাবৰ সময়ত, নিজৰ নামেৰে সৈতে কৃষ্ণৰ গুণগান কৰিছিল। এদিন সেই ব্ৰজকুমাৰীসকলে সেইদৰে গা ধুবলৈ আহি নিজৰ নিজৰ বস্ত্ৰ নৈৰ পাৰত থৈ বিবস্ত্ৰা হৈ কৃষ্ণৰ গুণগান কৰি পানীত নামি জল-ক্ৰীড়া কৰিছিল। যোগেশ্বৰ ঈশ্বৰ ভগৱন্ত শ্ৰীকৃষ্ণই তেওঁলোকৰ উদ্দেশ্য জানি, তেওঁলোকৰ কৰ্ম্মৰ ফল দান কৰিবৰ নিমিত্তে, গোপবালক সকলেৰে সৈতে তাত উপস্থিত হৈ বালিকাসকলৰ বস্ত্ৰবোৰ লৈ কদম্ব গছত উঠি হাঁহি হাঁহি বালিকাসকলক কলে,–"হে অবলা-সকল! তোমালোকে ইয়ালৈ আহি নিজৰ নিজৰ বস্ত্ৰ লৈ যোৱাহিহঁক। মই সঁচা কৈছোঁ, তোমালোকৰ সৈতে মই পৰিহাস কৰা নাই কাৰণ তোমালোকে ব্ৰত কৰি বৰ ক্ষীণাইছা। মই যে মিছা নকওঁ, এই গোপবালকসকলে জানে। এতেকে এজনী এজনীকৈ হওক, বা সকলো একেলগে আহি কাপোৰ লৈ যোৱাহিহঁক।" শ্ৰীকৃষ্ণৰ এই কথা শুনি গোপীসকলে প্ৰেমত বিহ্বল হৈ আৰু লজ্জিত হৈ পৰস্পৰে পৰস্পৰৰ ফালে চাই হাঁহিবলৈ ধৰিলে আৰু পানীৰপৰা পাৰলৈ উঠিব নোৱাৰিলে। পানীত পৰি থাকি জাৰত কঁপি কঁপি তেওঁলোকে কৃষ্ণক কলে—"হে কৃষ্ণ! অন্যায় নকৰিবা। তুমি নন্দগোপৰ পুত্ৰ, আমি তোমাক ভাল পাওঁ। ব্ৰজৰ ভিতৰত তুমি সকলোতকৈ ভদ্ৰ। আমি জাৰত কঁপিছো। তুমি আমাক কাপোৰবোৰ ওভোতাই দিয়া। হে শ্যামসুন্দৰ! আমি তোমাৰ দাসী। তুমি যিহকে আজ্ঞা কৰা, আমি তাকো কৰোঁ। হে ধৰ্ম্মজ্ঞ! আমাক বস্ত্ৰবোৰ দিয়া, নতুবা আমি ৰজাৰ আগত গোচৰ দিমগৈ।" কৃষ্ণই উত্তৰ দিলে—"তোমালোক যদি মোৰ দাসী—আৰু যদি মোৰ আজ্ঞা তোমালোকে প্ৰতিপালন কৰা তেন্তে মই আজ্ঞা কৰিছো, বামলৈ উঠি এইখিনিলৈ আহি নিজৰ নিজৰ বস্ত্ৰ লৈ যোৱাহিহঁক। ৰজাক গোচৰ দিলে, বুঢ়া ৰজাই মোক কি কৰিব?"

বালিকাসকলে জাৰত বৰ কষ্ট পাইছিল। শেহত তেওঁলোকে দুই হাতেৰে যোনিদেশ আচ্ছাদন কৰি জাৰত কঁপি কঁপি পাৰলৈ উঠিল। ভগৱন্ত তেওঁলোকৰ বিশুদ্ধ ভাৱত যদিও প্ৰসন্ন হৈছিল, তথাপি তেওঁ কলে,—"তোমালোকে ব্ৰত আচৰণ কৰোঁতে বিবস্ত্ৰা হৈ জলত স্নান কৰিছিলা, সেইদেখি দেৱতাক অৱহেলা কৰা হৈছে। এতেকে এই পাপ দূৰ কৰিবৰ নিমিত্তে দুই হাতেৰে মূৰত অঞ্জলি ধাৰণ কৰি অৱনত মস্তকেৰে নমস্কাৰ কৰি বস্ত্ৰ গ্ৰহণ কৰা।" কুমাৰীসকলে এই কথা শুনি ভাবিলে, কিজানি সঁচাকৈয়ে তেওঁলোকৰ ব্ৰত ভঙ্গ হ'ল। তাকে ভাবি, ভয় খাই তেওঁলোকে ব্ৰত পূৰণ কৰিবলৈ, সেই ব্ৰতৰ আৰু অন্যান্য বিবিধ কৰ্ম্মৰ ফলস্বৰূপে সেই শ্ৰীকৃষ্ণকেই নমস্কাৰ কৰিলে; কাৰণ তেওঁলোকে জানিছিল যে তেৱেঁই পাপ নাশ কৰে। এই বাৰ শ্ৰীকৃষ্ণই সদয় হৈ তেওঁলোকক বস্ত্ৰ প্ৰদান কৰিলে।

মহাযোগী মহাভক্ত শুকদেৱে পৰীক্ষিতক কৈছে—"ৰাজন, শ্ৰীকৃষ্ণই ব্ৰজকুমাৰীসকলক বঞ্চনা কৰিলেও, নিৰ্লজ্জা কৰিলেও, উপহাসাস্পদ কৰিলেও, বস্ত্ৰহৰণ কৰিলেও, আনকি, খেলালিৰ পুতলাৰ নিচিনাকৈ লৈ চলালেও, সেই বালিকাসকলে তাত দোষ গ্ৰহণ নকৰিছিল, কাৰণ প্ৰিয় সঙ্গৰ নিমিত্তে তেওঁলোক বৰ সুখী হৈছিল। তেওঁলোকে কাপোৰ ওভোতাই পাই পিন্ধিও সেই ঠাইতে থিয় হৈ ৰ'ল; কাৰণ কৃষ্ণৰ প্ৰতি তেওঁলোকৰ চিত্ত আকৃষ্ট হৈছিল আৰু কৃষ্ণৰ প্ৰতি তেওঁলোকে সলজ্জ দৃষ্টি নিক্ষেপ কৰিবলৈ ধৰিলে। এই বালিকাসকলে তেওঁৰ পাদস্পৰ্শ কামনা কৰিয়েই ব্ৰত ধাৰণ কৰিছিল আৰু তেওঁলোকৰ এই উদ্দেশ্য জানিব পাৰি ভগৱন্তই তেওঁলোকক কলে,—"হে সাধ্বী-সকল! মই জানিব পাৰিছোঁ যে মোৰ অৰ্চ্চনা কৰাই তোমালোকৰ সঙ্কল্প আৰু সেইটো মোৰ অনুমোদিত। এতেকে সেইটো সফল হোৱাটো উচিত হৈছে। যাৰ চিত্ত মোত নিবিষ্ট, তাৰ বাসনা পুনৰ্ব্বাৰ ফলভোগ কৰিবলগীয়া নহয়; ভজা বা সিজোৱা বীজৰ প্ৰায়েই গজালি নেমেলে। হে অবলাসকল! তোমালোক ব্ৰজলৈ যোৱা, সিদ্ধ হৈছা। আগামিনী যামিনীত তোমালোক সকলোৱে মোৰ সৈতে বিহাৰ কৰিবলৈ পাবা কাৰণ মোকে উদ্দেশ্য কৰি তোমালোকে ভগৱতীৰ অৰ্চ্চনৰূপ ব্ৰত কৰিছিলা।"

ভগৱন্তৰ এই আদেশ পাই কুমাৰীসকলে তেওঁৰ পাদপদ্ম চিন্তা কৰি কৰি দুঃখিত মনেৰে অতি কষ্টে ব্ৰজলৈ উভতি আহিল।

এতিয়া আমি ওপৰৰ দুই চাৰিটা তাৎপৰ্য্য বিচাৰি চাওঁ। কুমাৰীসকলৰ ব্ৰত ধাৰণ আৰু পূজাৰ প্ৰণালীলৈ মন কৰিলে আমি কি দেখো? উদ্দেশ্য প্ৰাকৃত মলিন কাম নে অপ্ৰাকৃত পবিত্ৰ ঈশ্বৰপ্ৰেম? তেওঁলোকে প্ৰত্যুষে শয্যা এৰি লগ লাগি ডিঙিত ধৰাধৰিকৈ কৃষ্ণ-গুণ গাই যমুনাত স্নান কৰিবলৈ যায় আৰু স্নান কৰি উঠি তেওঁলোকে কাত্যায়নীৰ বালিৰ প্ৰতিমা সাজি ধূপ-দীপ-নৈবেদ্য দি পূজা কৰি প্ৰাৰ্থনা কৰে—'নন্দ-নন্দনক আমাৰ পতি কৰি দিয়া।' তিৰোতাৰ সতিনী ঘটাতকৈ ডাঙৰ আন একো যন্ত্ৰণাদায়ক কষ্ট নাই। কিন্তু তেওঁলোকে লগ বান্ধি একে ঠাইতে, একে সময়তে একে মন্ত্ৰকে মাতি একেজনা দেৱীক, একেজন পুৰুষকে পতি পাবৰ কামনা কৰি প্ৰাৰ্থনা কৰে। সাধাৰণতঃ তিৰোতাই এইদৰে পাখিৰ প্ৰাকৃত পতি কামনা কৰাটো সম্ভৱ নে? বৰং সাধাৰণতঃ কি দেখি? দেখি,—যদি অনেক তিৰোতাই কোনো এজন পুৰুষক ভাল পাই তেওঁক পাবৰ ইচ্ছা কৰে,

তেন্তে প্ৰত্যেকে আনক ফাঁকি দি বা বঞ্চনা কৰি মনে মনে লুকাই সেই পুৰুষজনক পাবৰ চেষ্টা কৰিব। কিন্তু ব্ৰজকুমাৰীসকলৰ আচৰণ এই প্ৰাকৃত প্ৰণয়ৰ স্বাভাৱিক প্ৰথাৰ সম্পূৰ্ণ বিপৰীত । ঈশ্বৰপ্ৰাপ্তিৰ নিমিত্তে অনুৰাগী ভক্তসৱলে যেনেকৈ সমবেত ভাৱে মিলি উপাসনা আৰু প্ৰাৰ্থনা কৰে তেওঁলোকেও তেনেকৈ কৰিছিল। কণ কণ ছোৱালী, যি বিয়া কাক বোলে, পতি কাক বোলে, প্ৰেম বা প্ৰণয় কাক বোলে ভালকৈ নাজানে, তেওঁলোকে তেওঁলোকৰে সমনীয়া ল'ৰা এটিক পতি-ৰূপে পাবলৈ একেভাৱে পাৰ্থিব কামৰ গোন্ধ থকা ভালপোৱা দেখুৱাব এইটো হব পাৰে নে ? সেইদেখি গোপীসকলৰ প্ৰণয় [illegible] প্ৰণয় নহয়, ই ঈশ্বৰ কৃষ্ণপ্ৰেম আৰু আগৰ অনেক জনমৰ সুকৃতিৰ ফল ।

ছান্দোগ্য উপনিষদত আছে 'ব্ৰহ্ম এক আৰু অদ্বিতীয়—একমেবাদ্বিতীয়ম্' 'নেহ নানাস্তি কিঞ্চন' (বৃহদাৰণ্যক) অৰ্থাৎ ইয়াত নানা, বহু, দ্বৈত নাই, আছে মাথোন তেওঁ অদ্বৈত এক ব্ৰহ্ম বস্তু। 'চৈতন্য-স্বৰূপে ব্যাপি এক নিৰঞ্জন । তাহাক বোলয় দ্বৈত কোন অজ্ঞজন ।।'——শঙ্কৰদেৱ '

গীতাত লেখিছে—'মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয়' । শ্বেতাশ্বেতৰ উপনিষদত তেওঁক—'পতিং পতীনাং পৰমং পৰস্তাৎ' বুলিছে, অৰ্থাৎ তেৱেঁই পতিৰ পতি পৰাৎপৰ পৰম পুৰুষ । এইজনকে ব্ৰজ-কুমাৰীসকলে পতিৰূপে পাবলৈ কামনা কৰিছিল । বেদত কৈছে—'ব্ৰহ্মৰ বাহিৰে দ্বিতীয় বস্তুত মন সমৰ্পিত হলে জীৱৰ সংসাৰ বন্ধন হয় । যেতিয়ালৈকে দ্বিতীয় বস্তুত মানুহৰ মন নিমগ্ন থাকে, তেতিয়ালৈকে লাজ অভিমান ভয় আদি সাংসাৰিক মায়াৰ আৱৰণ থাকে আৰু লাজৰ নিমিত্তে বস্ত্ৰৰ আবৰণৰো আৱশ্যক হয় । সনক সনাতন আদি চাৰি সিদ্ধৰ বস্ত্ৰৰ প্ৰয়োজন নহৈছিল । শুকদেৱৰো বস্ত্ৰৰ প্ৰয়োজন নহৈছিল । মহাদেৱ শিৱও দিগম্বৰ । তেওঁলোকে নিজ ইচ্ছাত বস্ত্ৰ পৰিত্যাগ কৰিছিল এনে নহয়, ভগৱন্ত শ্ৰীকৃষ্ণই তেওঁলোকৰ বস্ত্ৰ হৰণ কৰিছিল । সনক-সনাতন, শুকদেৱ, মহাদেৱৰ বস্ত্ৰ নাছিল বুলি তেওঁলোকক কোনোবাই অসভ্য নিলাজ বোলেনে ? শ্ৰীকৃষ্ণ ভগৱন্তই বেদোক্ত অদ্বৈতজ্ঞান শিক্ষা দিবৰ নিমিত্তেই মহাভক্ত আৰু একমাত্ৰ পতিৰ পতি তেওঁত অনুৰক্ত গোপীসকলক কৃপা কৰি তেওঁলোকৰ বস্ত্ৰ হৰণ কৰিছিল । জীৱই বৈষ্ণৱীমায়াত মুগ্ধ হৈয়েই দ্বৈত-জ্ঞানৰ নিমিত্তে বস্ত্ৰাবৰণ লয় কিন্তু ঈশ্বৰৰ কৃপাত সমদৰ্শী হলে বস্ত্ৰ ত্যাগ কৰে । গোপীসকলৰ তেতিয়াও দ্বিতীয়জ্ঞান সম্পূৰ্ণৰূপে যোৱা নাছিল, সেইদেখি শ্ৰীকৃষ্ণই তেওঁলোকক পানীৰপৰা উঠি বস্ত্ৰ লবলৈ মতাতো তেওঁলোকে উঠি যাবলৈ সঙ্কোচ কৰিছিল অৰ্থাৎ যদিও তেওঁলোকৰ শ্ৰীকৃষ্ণলৈ লাজ নাছিল, পিছে আনে সেই অৱস্থাত তেওঁলোকক দেখিবলৈ পায়, এই ভয় এই লাজ অৰ্থাৎ এই দ্বৈতজ্ঞান সম্পূৰ্ণ-ৰূপে তেওঁলোকৰ নষ্ট হোৱা নাছিল । শেহত নোৱাৰিহে তেওঁলোকে নিজৰ হাতেৰে যোনিদেশ আবৃত কৰি পাৰলৈ উঠিল । সেই বাবেই কৃপালু কৃষ্ণই তেওঁলোকক সেইফেৰা আবৰণো গুচাই তত্ত্বোপদেশ প্ৰদান কৰিলে । কিন্তু অকল উপদেশ পালেই নহয়, সেই উপদেশ শিষ্যই সৰ্ব্বতোভাৱে পালন কৰিব লাগে, সেইদেখি তেওঁলোকক তেতিয়াও অনুপযুক্ত জানি উপযুক্ত হবৰ নিমিত্তে এবছৰ সময় দি ঘৰলৈ পঠিয়াই দিলে । এবছৰৰ মূৰত তেওঁলোকৰ সেই উপদেশ ফলি দ্বৈতজ্ঞান নষ্ট হলত তেওঁলোকক নিজে বাঁহীৰ ধ্বনিৰে মাতি নি নিজ সঙ্গলাভৰ উপায় কৰি দিলে । বস্ত্ৰহৰণলীলাৰ ওপৰ ভাগ অতি অশ্লীল যেন দেখি, কিন্তু প্ৰকৃত তত্ত্বজ্ঞসকলৰ নিমিত্তে ই পৰম তত্ত্ব ।

ব্যাসদেৱে শ্ৰীমদ্ভাগৱতত কুমাৰীসকলক 'অহতা' বুলিছে । তত্ত্বজ্ঞ শ্ৰীধৰ স্বামীয়ে অহতা শব্দৰ অৰ্থ 'ঈষৎ অক্ষত-যোনি' কৰিছে । ঈষৎ অক্ষত যোনি মানে ঈষৎ অক্ষত মায়া অৰ্থাৎ গোপী-সকলৰ মায়া বা অবিদ্যা ঈষৎ অক্ষত অৰ্থাৎ ক্ষয় হোৱা নাছিল, সেইদেখি তেওঁলোক তেতিয়াও ভগৱন্তৰ সঙ্গলাভৰ উপযুক্ত হোৱা নাছিল । সেইফেৰা মায়া বা অবিদ্যাকো ক্ষয় কৰাবৰ নিমিত্তে অলপ মায়া বা অবিদ্যাৰ সম্পৰ্ক থাকিলে জীৱই পৰমানন্দ ঈশ্বৰৰ সৈতে বিহাৰ কৰিবলৈ যোগ্য নহয় । মায়া থাকিলেহে ভেদজ্ঞান থাকে । ভগৱন্ত শ্ৰীকৃষ্ণই গীতাত মায়াক 'মোৰ যোনি' বুলি কৈছে—

মম যোনিৰ্মহদ্ব্ৰহ্ম তস্মিন্ গৰ্ভং দধাম্যহম্।
সম্ভবঃ সৰ্ব্বভূতানাং ততো ভৱতি ভাৰত ।।

গীতাত আকৌ ভগৱন্তই কৈছে—

নাহং প্ৰকাশঃ সৰ্ব্বস্য যোগমায়াসমাবৃতঃ ।
মূঢ়োহয়ং নাভিজানাতি লোকো মামজমব্যয়ম্ ।।

অৰ্থাৎ যোগমায়াৰ দ্বাৰাই আবৃত থাকি মই জীৱত অপ্ৰকাশ থাকোঁ, স্বয়ম্ভূ অব্যয়ৰূপ মোক মূঢ়লোকে নাজানে । আকৌ—

দৈৱী হ্যেষা গুণময়ী মম মায়া দুৰত্যয়া ।
মামেৱ যে প্ৰপদ্যন্তে মায়ামেতাং তৰন্তি তে ।।

অৰ্থাৎ মোৰ দৈৱী গুণময়ী মায়া অত্যন্ত দুৰ্জ্জয়, যি মোৰ শৰণাগত হয়, সিয়েই মায়াৰ হাতৰ পৰা তৰে ।

সেইদেখিয়েই আমাৰ মহাপুৰুষ শ্ৰীমাধৱদেৱে

ঘোষাত লিখিছে—

যাৰ মায়া-পাশে বন্দী হয়াছ্ পামৰ মন
তান দুই চৰণত ধৰ।

মায়াৰ নিমিত্তেই জীৱৰ বিষম বুদ্ধি হয় আৰু সেই বিষম বুদ্ধিৰ নিমিত্তেই দেহাভিমান ৰাগ, দ্বেষ, দম্ভ আৰু লজ্জাদি হয়। এইবোৰেই জীৱৰ বন্ধনৰ কাৰণ। মুক্তি কামনাকাৰীসকলে এই বন্ধনৰপৰাই মুক্ত হব খোজে। ভগৱন্ত বস্তুৰ চৰণত শৰণ লৈ তেওঁৰ দুটি চৰণত ধৰি কায-বাক্য-মনে এই মায়া-পাশৰ বন্ধনৰপৰা এৰাবলৈ প্ৰাৰ্থনা কৰাৰ বাহিৰে আন উপায় নাই। তেওঁৰ কৃপা হলেই মায়াৰ বন্ধন মুকলি হয়।

এই মায়া ভগৱন্তৰ পৰমাশ্চৰ্য্য ঐশী শক্তি। 'ঈশ্বৰে নিজৰ ঐশ্চৰ্য্য আৰু সৌন্দৰ্য্যৰ ভাণ্ডাৰ জ্ঞানবান আৰু হৃদয়বান জীৱসকলৰ আগত ক্ৰমে ক্ৰমে উন্মুক্ত কৰি প্ৰত্যেকজনৰ অন্তঃকৰণৰ যোগ্যতানুসাৰে তেওঁক আপোনাৰ অনুপম ঐশ্চৰ্য্যৰ ভাগী কৰে, এই নিমিত্তেই তেও মানুহক আপোনাৰ ঐশ্চৰ্য্যশক্তিৰে পৰিচ্ছন্ন কৰি পৃথক কৰিছে।' 'এইদৰে গুৰিৰ ঐক্যৰ পৰা যাত্ৰাৰম্ভ কৰি সাধকে ঈশ্বৰেৰে সৈতে গাঢ়ৰপৰা গাঢ়তৰ ঐক্যবন্ধনৰ ফালে অগ্ৰসৰ হয়, উচ্চৰপৰা উচ্চতৰ লোকলৈ সমুত্থান কৰে, গভীৰৰপৰা গভীৰতৰ অন্তৰত নিমগ্ন হয়।' (*)

জীৱই আধ্যাত্মিক উন্নতিৰ বাটত যিমান আগবাঢ়ে, ঈশ্বৰৰ ঐশ্বৰ্য্য আৰু প্ৰেম যত উপলব্ধি কৰে, নিজৰ ইচ্ছাক ঈশ্বৰৰ ইচ্ছাৰে সৈতে যিমান মিলিত কৰে, সেই পৰিমাণে এই পাৰ্থক্য দূৰ হয়। সাধকে দ্বৈতৰপৰা অদ্বৈতত, ভেদ বুদ্ধিৰপৰা অভেদ বুদ্ধিত উপস্থিত হৈ ঈশ্বৰেৰে সৈতে সম্পূৰ্ণৰূপে মিলিত হৈ অক্ষয় শান্তি আৰু আনন্দ উপভোগ কৰে। জীৱ ব্ৰহ্মৰ অক্ষয় আনন্দৰ মিলনৰ 'ৰসো বৈ সঃ' ঈশ্বৰৰ ৰাসলীলা। এই পৰম তত্ত্বকে পৰম ব্ৰহ্ম ঈশ্বৰে পৰম ব্ৰহ্ম কৃষ্ণৰূপে মূঢ় জীৱৰ বুজিবৰ সুবিধাৰ নিমিত্তে বৃন্দাবনত অভিনয় কৰিছিল।

ব্ৰজকুমাৰীসকলে শ্ৰীকৃষ্ণক পতিৰূপে পাবলৈ কাত্যায়নী দেৱীৰ পূজা কৰিছিল অৰ্থাৎ ঈশ্বৰ কৃষ্ণক সৰ্ব্বতোভাৱে ৰক্ষক স্বৰূপে পাবৰ নিমিত্তেই কামনা কৰি দেৱীক পূজা কৰিছিল। ওপৰত কোৱা হৈছে যে এজাক তিৰোতাই এজন পুৰুষক সাংসাৰিক ভাৱত পতি পাবলৈ লগ বান্ধি দল বান্ধি মনৰ কথা কোৱাকুইকৈ যে পূজা কৰিবলৈ গৈছিল, এইটো ইমান অসম্ভৱ কথা যে তাক সহজে বুজিব পাৰি। এতেকে সকলোৰে ঈশ্বৰ, সকলোৰে পতি কৃষ্ণক নিজৰ জীৱনত পতি বা ৰক্ষকৰূপে পাবলৈহে তেওঁলোকে কামনা কৰিছিল সেইটো নিশ্চয়। বেদোক্ত 'পতিং পতীনাং পৰমং পৰস্তাৎ' এই সূত্ৰৰহে এইটো অভিনীত বিশদ ব্যাখ্যা।

প্ৰজাপতিপতিঃ স্ৰগ্বী সাক্ষান্ মন্মথমন্মথঃ।

অৰ্থাৎ প্ৰজাপতিৰ পতি বনমালী মদনমোহনক পৰমভক্ত গোপবালাসকলে সৰ্ব্বতোভাৱে পতি অৰ্থাৎ ৰক্ষকৰূপে পাবৰ এই কামনা।

এই বস্ত্ৰহৰণ লীলা যদি পাৰ্থিৱ কামগন্ধময় লীলা হলহেঁতেন, তেন্তে সুন্দৰী তিৰোতাই পুৰুষক ৰমণৰ নিমিত্তে নিজে প্ৰাৰ্থনা কৰিছে আৰু পুৰুষে তাত অসম্মতি প্ৰকাশ কৰি ঘৰলৈ উভতি যাবলৈ কৈছে, এনে অসম্ভৱ কাৰ্য্য কেতিয়াও দেখা নগলহেঁতেন। সেইদেখি নিৰপেক্ষভাৱে আৰু গভীৰকৈ ভাবিলে নিশ্চয় দেখি যে বস্ত্ৰহৰণলীলাৰ ভিতৰত অশ্লীল একো নাই, আছে পৰম তত্ত্বজ্ঞান আৰু ঈশ্বৰপ্ৰেমৰ চূড়ান্ততা। ই আনন্দঘন ভগৱন্তৰ শুদ্ধ জীৱৰে সৈতে স্বৰূপ বিহাৰ। লীলাৰ ফালৰপৰা চালে এইটো চঞ্চল ল'ৰাৰ অদ্ভুত ধেমালি যেন দেখি; কিন্তু তত্ত্বজ্ঞানৰ ফালৰপৰা চালে ভগৱন্তৰ ভক্তৰ ভগৱন্তৰ দ্বাৰাই চৰম পৰীক্ষা। ই বেদোক্ত ৰসময় পৰমানন্দৰ সুগূঢ় অলৌকিক ৰসৰ অভিনয়, ভাবুক ৰসিকেইহে ইয়াৰ ৰস পান কৰিব পাৰে। মহাশাস্ত্ৰ শ্ৰীমদ্ভাগৱতক সেই বাবেই —'নিগমকল্পতৰোগলিতং ফলং শুকমুখাদমৃতদ্ৰৱসংযুক্তং' বুলিছে আৰু 'ৰসিকা ভুবি ভাবুকা'ইহে তাক মুহুৰ্মুহু পান কৰে। ইয়াৰ তাৎপৰ্য্য বৰ নিগূঢ়, দুৰ্জ্ঞেয়।

ৰাসলীলা-তত্ত্ব

এক

ৰাসলীলাৰ ওপৰ ভাগত প্ৰাকৃত শৃঙ্গাৰ ৰসৰ ঢাকনি আছে, সেইদেখি ওপৰচকুৱাসকলে তাত অশ্লীলতা দেখে। এই বাবেই শুকদেৱে ৰাসপঞ্চাধ্যায়ৰ শেষৰ শ্লোকটোত ৰাসলীলা শুনোতা আৰু বৰ্ণাওঁতাক 'ধীৰ', 'শ্ৰদ্ধান্বিত' বিশেষণেৰে বিশেষিত কৰিছে আৰু কৈছে, এনে ধীৰ অচঞ্চল লোকে শ্ৰদ্ধাৰে সৈতে বিষ্ণুৰ ৰাসলীলা শ্ৰৱণ বা কীৰ্ত্তন কৰিলে তেওঁ অচিৰতে ভগৱন্তৰ প্ৰতি পৰাভক্তি লাভ কৰি কাম নামৰ ৰোগৰপৰা মুক্ত হয়। আৰু এটা

* দ্বিজেন্দ্ৰনাথ ঠাকুৰ-প্ৰণীত অদ্বৈতমতৰ সমালোচনাৰ ভাঙনি।

কথাখিনি মন কৰিব লগীয়া যে শুকদেৱে 'ৱিক্ৰীড়িতং ব্ৰজবধূভিৰিদঞ্চ ৱিষ্ণোঃ' অৰ্থাৎ ৰাসলীলাক কৃষ্ণৰ ক্ৰীড়া নবুলি 'বিষ্ণুৰ ক্ৰীড়া' বুলিছে। বিষ্ণু শব্দৰ অৰ্থ বিশ্বব্যাপী ঈশ্বৰ। গোটেই বিশ্বৰ ভিতৰে-বাহিৰে সততে ব্যাপ্ত হৈ যিজনে স্বৰূপ আনন্দেৰে স্বৰূপ শক্তিৰে ক্ৰীড়া কৰিব লাগিছে তেৱেঁই বিষ্ণু। 'বেবেষ্টি ইতি বিষ্ণুঃ' অৰ্থাৎ তেওঁ ব্যাপক, গোটেই জগত ব্যাপি আছে, 'জগৎ সৰ্ব শৰীৰং তে।' তেওঁ ব্ৰহ্মাণ্ডব্যাপী। গীতাত ভগৱন্তই কৈছে—'ময়া ততমিদং সৰ্বং জগদব্যক্তমূৰ্ত্তিনা।' অৰ্থাৎ অব্যক্ত মূৰ্ত্তিৰে মই গোটেই জগত ব্যাপি আছো। শ্ৰুতিত কৈছে 'তদ্বিষ্ণোঃ পৰমং পদং সদা পশ্যন্তি সুৰয়ঃ দিৱীৱ চক্ষুৰাততম্।' অৰ্থাৎ চকুৱে যেনেকৈ আকাশত বিস্তৃত বস্তুৰ দৰ্শন কৰে, তেনেকৈ সেই বিষ্ণুৰ অৰ্থাৎ ব্যাপনশীল ব্ৰহ্মৰ উৎকৃষ্ট পদ সুৰ ব্ৰহ্মবিদ্‌সকলে সদায় দৰ্শন কৰে। আনন্দঘন বিষ্ণুৱেই কৃষ্ণ। উপনিষদত ব্ৰহ্মক সচ্চিদানন্দ স্বৰূপ বোলা হৈছে।

> সচ্চিদানন্দময়ং পৰং ব্ৰহ্ম।
> সৰ্ব পূৰ্ণস্বৰূপোঽস্মি সচ্চিদানন্দলক্ষণঃ॥
>
> (মৈত্ৰী উপনিষদ)

আনন্দং ব্ৰহ্ম ইতি ব্যজানাৎ।—তৈত্তিৰীয়
সত্যং জ্ঞানম্ অনন্তম্ আনন্দং ব্ৰহ্ম। —সৰ্ব্বোপনিষৎসাৰ

এই সৎচিদানন্দ পৰম ব্ৰহ্মৰে সচ্চিদানন্দবিগ্ৰহ মূৰ্ত্তি শ্ৰীকৃষ্ণ। ব্ৰহ্ম-সংহিতাত কৈছে—

> ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ সচ্চিদানন্দবিগ্ৰহঃ।

শ্ৰীকৃষ্ণৰ নমস্কাৰত কোৱা হৈছে 'সচ্চিদানন্দৰূপায় কৃষ্ণায়াক্লিষ্টকাৰিণে।' অৰ্থাৎ সচ্চিদানন্দৰূপ অক্লিষ্ট-কৰ্মা শ্ৰীকৃষ্ণক নমস্কাৰ। এই সচ্চিদানন্দ বিগ্ৰহ কৃষ্ণস্বৰূপ বিষ্ণুৰ পৰম পদ পাব লাগিলে, সকলো বাসনা কামনা পৰিত্যাগ কৰি অকপট প্ৰেমিক হব লাগিব। প্ৰেমৰ ঘাই লক্ষণ উৎকণ্ঠা। সেই উৎকণ্ঠা কেনে সেইটো ব্যভিচাৰিণী বিৰহিণী কামিনীৰ দৃষ্টান্তৰ-পৰাহে বুজিব পাৰি। পৰপুৰুষত সৰ্বতোভাৱে অনুৰক্তা তিৰোতাৰ দৰে যেতিয়া ঈশ্বৰত একান্ত অনুৰক্ত ভক্তই সকলো কামনা পৰিত্যাগ কৰি 'হা কৃষ্ণ! হা কৃষ্ণ!' বুলি কান্দিব, তেতিয়া ভক্তবৎসল ভগৱন্তই নিজৰ সেই একান্ত ভক্তক নিজৰ আনন্দময় কোলাত তুলি লৈ আলিঙ্গন কৰিব। জীৱ আনন্দ-সমুদ্ৰত নিমগন হৈ ধন্য হব। এয়ে মুঠতে ৰাসলীলাৰ প্ৰকৃত মৰ্ম্ম।

কাম আৰু প্ৰেম একে বস্তু নহয়। কাম মনোবৃত্তি বা বাসনা কিন্তু প্ৰেম মনোবৃত্তি বা বাসনা নহয়। প্ৰেম একনিষ্ঠ, কাম তেনে নহয়। কামে প্ৰকৃত বস্তুৰ আশ্ৰয় কৰি আনন্দ ভোগ কৰিবলৈ বিচাৰে; কিন্তু প্ৰেমে বস্তুলৈ অপেক্ষা নকৰি মাথোন অবিমিশ্ৰ আনন্দ লাভ কৰিবলৈ চায়। জীৱৰ আনন্দলিপ্সাই স্বভাৱ; কাৰণ জীৱ আনন্দময়ৰ অংশ। কিন্তু প্ৰকৃত আনন্দ কিহত, আৰু ক'ত, সেইটো কামৰ ছলনাত পৰি জীৱই পাহৰি বা নাজানি, অপদাৰ্থত আনন্দ বিচাৰি ঘূৰি মৰে। কবি ৰবীন্দ্ৰনাথৰ ভাষাৰে কবলৈ গলে—

> হৃদয়ে জ্বালায়ে বাসনাৰ শিখা,
> নয়নে সাজায়ে মিছা মৰীচিকা,
> মিছে ঘুৰে মৰে মৰুভূমে।

ভাওনাত ভাও দিয়া ভাৱৰীয়াই যেনেকৈ কল্পিত কাৰো ভাও দি আন ভাৱৰীয়াৰে সৈতে ভাওনাৰ কালডোখৰত প্ৰকৃত 'মইক' পাহৰি ক্ষন্তেকীয়া সুখ-দুখ, বা স্নেহ-মৰম অনুভৱ বা ভোগ কৰে কিন্তু সেই সুখ-দুখ, স্নেহ-মৰম ভাওনা ভগাৰ পিছত আৰু নাথাকে, কাৰণ তেওঁৰ প্ৰকৃত সুখ-দুখ, ভাওনাৰ আগৰ আৰু পাছৰ আচল 'মই'ৰ কাৰ্য্যাৱলী আৰু অনুভূতিহে, সেইদৰে জীৱৰ প্ৰকৃত প্ৰেম নশ্বৰ প্ৰকৃত সম্ভোগৰ আপেক্ষিক নহয়। ভাও দিওতে জীৱৰ আচল 'মই' নকল 'মই'ত বুৰি যায়। তেওঁ তেতিয়া নকল 'মই'ক আনন্দ দিবলৈ প্ৰাণপণে চেষ্টা কৰে। কিন্তু সেই চেষ্টা তেওঁৰ স্বৰূপ ধৰ্ম নহয়। তেওঁ যিমানকে সেই চেষ্টা কৰক, আচল 'মই'ক আনন্দ দিয়াটোহে তেওঁৰ স্বাভাৱিক স্বৰূপ ধৰ্ম্ম আৰু আচল উদ্দেশ্য।

ৰাসলীলাক অশ্লীল ভাবোঁতাই আৰু এটা ডাঙৰ কথা বিমৰিষ কৰি চোৱাটো উচিত যে প্ৰথমতে ৰাসলীলা প্ৰণেতা কোন? বক্তা কোন? শ্ৰোতা কোন? আৰু প্ৰণেতা, বক্তা আৰু শ্ৰোতাৰ অভিপ্ৰায় কি? আমি এই কেইটা প্ৰশ্নৰ উত্তৰত প্ৰথমতে দেখোঁ যে ৰাসলীলাৰ প্ৰণেতাজন সত্যৱতীসুত মহৰ্ষি কৃষ্ণ দ্বৈপায়ন বেদব্যাস—যিজনে বেদ বিভাগ কৰিছিল, চাৰিও বেদৰ অনেক শাখা কৰিছিল, বেদান্ত দৰ্শন কৰিছিল, মহাভাৰত আৰু ওঠৰ পুৰাণ ৰচনা কৰিছিল, আৰু যাক ঈশ্বৰৰ চতুৰ্ব্বিংশতি অৱতাৰৰ ভিতৰত এজন অৱতাৰ বোলে—

> ব্যাস নামে ভৈলা সত্যৱতীৰ সন্ততি।
> দেখিলাহা প্ৰজা ভৈলা অতি অল্পমতি॥
> কৰিলা অনেক শাখা চাৰিও বেদৰ।
> পুৰাণ ভাৰত শাস্ত্ৰ নিৰ্ম্মিলা বিস্তৰ॥
>
> (কীৰ্ত্তন-ঘোষা)।

বক্তা কোন? মহাভক্ত মহাযোগী জীৱন্মুক্ত পুৰুষ, বিষয়ত বিৰাগী, শুকদেৱ। শ্ৰোতা কোন? ব্ৰাহ্মণৰ শাপত পৰি থকা, অনুতাপগ্ৰস্ত, মুক্তিকামী, মৃত্যুসন্মুখত থিয় আৰু প্ৰায়োপবিষ্ট মহাৰাজ পৰীক্ষিৎ।

এইবোৰ কথা ভাবিলে, মনলৈ আহিব পাৰে নে যে লোক নিস্তাৰৰ নিমিত্তে অৱতাৰ ধৰোঁতা মহৰ্ষি ব্যাসে, কেতিয়াবা অশ্লীল ঘৃণ্য বিষয় লেখিব আৰু পৰোপকাৰী বন্ধুবৰ্গৰ কুটুম্বক; শুকদেৱে মৃত্যুৰ মুখত পৰি থকা আৰু এক মুহূৰ্ত্ত বৃথা কথাত সময় নষ্ট কৰিব নোৱাৰা অভিশপ্ত অনুতপ্ত পৰীক্ষিতক বিলাসপৰায়ণ মানুহৰ শৃঙ্গাৰ ৰসৰ সেই কথা শুনাব আৰু সেই সময়ত ভৱৌষধিস্বৰূপে দান কৰিব? শুকদেৱে এনে পৰীক্ষিতক এনে সময়ত সাংসাৰিক অশ্লীল আৰু নীতিবিগৰ্হিত কথা শুনাই প্ৰতাৰণা কৰিব পাৰে বুলি ভাবিব পাৰি নে? যদি নোৱাৰি, তেন্তে এই ৰাসলীলাত পৰম গুহ্যতত্ত্ব যে নিহিত আছে, তাতে সন্দেহ কৰিবৰ কাৰণ নাই। ধানৰ বাকলিৰ ভিতৰতহে চাউল আৰু সিহে আচল বস্তু। শৃঙ্গাৰ কথা পৰম তত্ত্ব ৰাসলীলাৰ ওপৰৰ বাকলিহে। যি ধীৰ, স্থিৰ আৰু শ্ৰদ্ধাবান সিহে ধৈৰ্য্য ধৰি পৰম নিগুঢ় অন্তৰ্নিহিত তত্ত্বনিধি লাভ কৰিব পাৰিব, চঞ্চল অধীৰ, ওপৰচকুৱা, অশ্ৰদ্ধাবানে নোৱাৰে, মহামুনি ব্যাস আৰু শুকদেৱে ইয়াকেহে কয়।

সৎ চিৎ আনন্দস্বৰূপ ব্ৰহ্মই যেনেকৈ তিনিগুণক আশ্ৰয় কৰি তেওঁৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ এক এক অংশক বিকাৰযুক্ত কৰি সৃষ্টিত পৰিণত কৰে, নিৰ্ম্মল প্ৰেমানন্দৰ এক অংশও সেইদৰে বিকাৰযুক্ত হৈ কামত পৰিণত হয়। যেনেকৈ ত্ৰিগুণ সংযুক্ত ব্ৰহ্মাংশ ব্ৰহ্মাণ্ডত পৰিণত হৈ বিকাৰ প্ৰাপ্ত হলেও, ব্ৰহ্ম বিকাৰ ৰহিত নিৰঞ্জন নিৰ্ম্মল সচ্চিদানন্দস্বৰূপ, সেইদৰে প্ৰেমাংশ বিকাৰ প্ৰাপ্ত হৈ কামত পৰিণত হলেও, প্ৰেম নিৰ্ম্মল চিদানন্দময়। ত্ৰিগুণাত্মক বিকৃত জীৱৰ যেনেকৈ পৰমাত্মাৰ ফাললৈ যাবৰ বাসনা আৰু অনেক সাধ্য সাধনাৰ পিছত লাহে লাহে সি পৰিশুদ্ধ আৰু বিধৌত হৈ পৰমাত্মাৰ সামীপ্য সাৰূপ্য লাভ কৰে, কামো সেইদৰে ক্ৰমাগত পৰিশুদ্ধ আৰু বিধৌত হৈ প্ৰেমানন্দৰ সামীপ্য আৰু সাৰূপ্য লাভ কৰে। কাম নামেৰে কোনো মূল মনোবৃত্তি নাই আৰু জীৱৰ দেহৰ বাহিৰে কামৰ সুকীয়া অস্তিত্ব নাই। কামাসক্ত মানুহেই কাম। সেই বৃত্তিমন্ত কাম পৰিশোধিত হৈ সি যেতিয়া চিৰাকাংক্ষিত প্ৰেম পৰমানন্দ লাভ কৰিব, তেতিয়া ক্ষুদ্ৰ পাৰ্থিব কামৰ দেহা পুৰি ভস্ম হৈ যাব। পৰম পুৰুষ ভগৱন্তৰ প্ৰেমানন্দত নিমগ্ন মহাদেৱৰ আগত কাম ভস্ম হৈ পৰিছিল।

মানুহে পাৰ্থিৱ সম্ভোগৰ আনন্দকে ভাষাৰে আনক ভালকৈ বুজাব নোৱাৰে। অথচ পাৰ্থিব এই ক্ষুদ্ৰাতিক্ষুদ্ৰ আনন্দ ব্ৰহ্মানন্দৰ কণা বা ছাঁ মাথোন। যদি এই ছাঁ বা কণাকে ভাষাৰে ভালকৈ বুজাব নোৱাৰি, তেন্তে ব্ৰহ্মানন্দ বুজাবৰ ভাষা ক'ত? পাৰ্থিৱ সকলো প্ৰকাৰ আনন্দতকৈ স্ত্ৰী-পুৰুষৰ ৰমণানন্দই প্ৰধান। সেই দেখি জীৱাত্মাৰে লৈতে আলিঙ্গন বা ৰমণত যি আনন্দ হয়, তাৰ যথাসম্ভৱ ক্ষুদ্ৰাতিক্ষুদ্ৰ আভাস দিবলৈ মহামুনিয়ে ৰাসলীলাৰ বৰ্ণনাত পাৰ্থিৱ শৃঙ্গাৰ ৰসৰ আনন্দৰ উদাহৰণৰ আশ্ৰয় লবলগীয়াত পৰিছে। শ্ৰুতিয়েও এই জীৱাত্মা-পৰমাত্মাৰ আলিঙ্গনৰ আনন্দৰ কণামাত্ৰৰ আভাস দিবলৈ এনে উদাহৰণৰেই আশ্ৰয় লৈছে। যেনে—

'তদ্‌যথা প্ৰিয়য়া স্ত্ৰিয়া সম্পৰিষ্বক্তো ন বাহ্যং কিঞ্চন ৱেদ নান্তৰমেৱায়ং পুৰুষঃ প্ৰাজ্ঞেনাত্মনা সম্পৰিষ্বক্তো ন বাহ্যং কিঞ্চন ৱেদ নান্তৰং তদ্বা অস্যৈত-দাপ্তকামমাত্মকামমকাম' ৰূপং শোকান্তৰম্।'

অৰ্থাৎ যেনেকৈ প্ৰিয় ৰমণীৰ দ্বাৰাই আলিঙ্গিত হৈ মানুহে অন্তৰ-বাহিৰ একোকে জানিব নোৱাৰে, সেইদৰে জীৱ প্ৰাজ্ঞই আত্মাৰ দ্বাৰাই পৰিষক্ত হৈ অন্তৰ-বাহিৰ একোকে জানিব নোৱাৰে।

ব্ৰজৰ গোপীসকলে মূৰ্ত্তিমান আনন্দ শ্ৰীকৃষ্ণক আলিঙ্গন কৰি গোটেই সংসাৰ পাহৰি গৈছিল। শ্ৰীকৃষ্ণৰ ৰাসলীলা জীৱব্ৰহ্মৰ আলিঙ্গনৰ অভিনয়। সংসাৰ পাহৰিব পাৰিলেই কাম নাথাকে। আনন্দ মূৰ্ত্তিৰে সৈতে আলিঙ্গিত হবৰ উপায় প্ৰেম। প্ৰেমৰ মাই লক্ষণ প্ৰিয়তমৰ অপ্ৰাপ্তিত দাৰুণ উৎকণ্ঠা। বিৰহিণী ব্যভিচাৰিণী কামিনীয়েই সেই উৎকণ্ঠাৰ এক মাথোন চূড়ান্ত দৃষ্টান্ত। এই বাবে গোপীসকলক ব্যভিচাৰিণী পৰনাৰীৰূপে থিয় কৰি ভগৱন্তৰ ভক্তৰ ভগৱন্তক পাবৰ উৎকণ্ঠা দেখুৱা হৈছে অৰ্থাৎ জীৱৰ এনেকুৱা উৎকণ্ঠা হলেই ভগৱন্তক পায়। এয়ে ৰাসলীলাৰ মাই শিক্ষা।

আমি ওপৰত কৈছো যে বস্ত্ৰহৰণলীলাত ৰাস-লীলাৰ পাতনি। সেই লীলাত গোপীসকলৰ প্ৰথম পৰীক্ষা। সেই পৰীক্ষাত তেওঁলোকে তেতিয়া উঠিব নোৱাৰিলে দেখি, তেওঁলোকক ওভোতাই পঠিয়াই পৰীক্ষাত উঠিব পৰা হবলৈ সময় দিয়া হল। সাধন মাৰ্গত সাধক ভক্তৰো প্ৰথমাৱস্থা এনেকুৱাই।

—ৰাসলীলাৰ প্ৰথমতে শ্ৰীকৃষ্ণই বংশীধ্বনিৰে গোপীসকলক নিজৰ ওচৰলৈ মাতি আনিলে। সুস্বৰৰ সৌন্দৰ্য্যৰ, সুৰসৰ, সুগন্ধৰ, সুস্পৰ্শৰ আকৰ্ষণী যে আছে এইটো সকলোৱে জানে। কিন্তু এই আকৰ্ষণী শক্তি প্ৰকৃততে পাৰ্থিৱ পদাৰ্থৰ নহয়, এই আকৰ্ষণী শক্তি 'ৰসো বৈ সঃ' আনন্দৰহে। পাৰ্থিৱ পদাৰ্থৰ যদি আকৰ্ষণী শক্তি থাকিলহেঁতেন, তেন্তে তুমি যাক সুন্দৰ যেন দেখিছা, মই তাক তেনে সুন্দৰ দেখিলোহেঁতেন, কিন্তু নেদেখোঁ। তুমি যিটো কচিকৰ বুলি তৃপ্তিৰে খোৱা মোৰ সেইটো কচিকৰ নালাগে আৰু তাত মই তৃপ্তিও নাপাওঁ কিয়? তোমাৰ

ল'ৰা-ছোৱালী মোৰ চকুত কুৰূপ আৰু কুশ্ৰী হলেও আৰু সেই বাবে মোৰ সিহঁতক দেখিবৰ মন নগলেও তোমাৰ চকুত সিহঁত সুন্দৰ আৰু মনোৰম। অনেক দৃষ্টান্ত দিব পাৰি যে বেশ্যাসক্তই নিজৰ সুন্দৰ স্ত্ৰীত সৌন্দৰ্য্য নেদেখি কুৰূপা বেশ্যা এজনীত সৌন্দৰ্য্য আৰু তৃপ্তিৰ লালসাত নিমগন হয়। আনৰ জিভাত মিঠা-মৌ আদিৰ সোৱাদ সুমধুৰ লাগে কিন্তু এনে এনে অনেক আছে, যি মিঠাৰ গোন্ধত বাঁতিয়ায়, গোলাপজল আৰু আতৰৰ গোন্ধ সহিব নোৱাৰে। ল'ৰা এটাক এদিন এডোখৰ দালচেনি চোবাবলৈ দিছিলো, সি চোবাই ছিঃ ছিঃ কৈ নবি গৈ এটা গান্ধিপোক চোবাইহে তাৰ হিচাপেৰে দালচেনিৰ দুৰ্গন্ধটো মাৰি মুখ সুগন্ধ কৰিলে। মানৱ 'নেপি' য়ুৰোপীয়ৰ 'চিজ' আমাৰ মানুহে খাঁই বা শুঙি বাঁতিবাৰ অনেক উদাহৰণ আছে। এতেকে দেখা যায় যে সুস্বৰ, সুৰস, সুগন্ধ, সুখস্পৰ্শ আৰু সুন্দৰ বুলি কোনো এটা নিৰ্দ্দিষ্ট বস্তু নাই। যি যিহত আনন্দ লাভ কৰে তাৰ পক্ষে সিয়েই সুন্দৰ, সুস্বৰ বা সুমধুৰ। সেইদেখি বেছ বুজিব পৰা যাব যে আকৰ্ষণী শক্তি মূল বস্তু আনন্দৰেইহে আছে, আন কোনো পদাৰ্থৰ নাই। সেই আনন্দই ব্ৰহ্ম, শ্ৰীকৃষ্ণই সেই আনন্দৰ ঘনীভূত মূৰ্ত্তি 'সচ্চিদানন্দ বিগ্ৰহ'। শ্ৰীকৃষ্ণৰ আকৰ্ষণী শক্তিস্বৰূপ বাঁহীয়ে সদায় সকলোকে সুললিত স্বৰেৰে তেওঁৰ ফাললৈ মাতিব লাগিছে। যাৰ কাণৰ মলিনতা দূৰ হৈছে, যাৰ হৃদয় ভক্তি ৰসেৰে বিশুদ্ধ বিধৌত হৈছে, সিয়েই সেই বংশীৰ আহ্বান শুনিবলৈ পায়। সেইদেখি বিশুদ্ধ চিত্ত কৃষ্ণগত প্ৰাণ গোপীসকলেহে সেই শৰৎ কালৰ চন্দ্ৰাৱলী ৰাতি বৃন্দাবনত বংশীৰ আহ্বান শুনিবলৈ পাই গৃহকাৰ্য্য পতিপুত্ৰাদি এৰি প্ৰাণবল্লভ কৃষ্ণৰ ফালে লৰ দিছিল।

বনকো দেখিল চন্দ্ৰৰশ্মিয়ে ৰঞ্জিত।
সুস্বৰ মধুৰ কৰি হৰি গাইল গীত ॥
শুনি কামে উত্ৰাৱল হুয়া গোপীগণে।
দিলেক লৰড় গীত-ধ্বনি নিৰীক্ষণে ॥—কীৰ্ত্তন

শ্ৰীশঙ্কৰদেৱে গোপীসকলৰ গৃহকাৰ্য্য এৰি এইদৰে লৰি যোৱাৰ সুন্দৰ তাৎপৰ্য্য দিছে—

এৰে যেন ধৰ্ম্ম ভকতসকলে।
কৃষ্ণৰ কীৰ্ত্তন শুনি চিত্ত উত্ৰাৱলে ॥
নেদেখন্ত পুত্ৰ দাৰা বিষয়ৰ সুখ।
সেহিমতে ভৈল গোপী কৃষ্ণক সমুখ ॥—দশম

গোপীসকলে বংশীবদনৰ বংশীৰ আহ্বান শুনি বংশীবদনক পাবৰ নিমিত্তে ল'ৰালৰিকৈ বিপৰ্য্যয়ৰূপে কাপোৰকানি অলঙ্কাৰ পিন্ধি গৈয়ো তেওঁক পালেগৈ। এই বিষয়েও শ্ৰীশঙ্কৰদেৱে দিয়া কেনে পটন্তৰ চোৱা—

তথাপি কৃষ্ণক পাইলে গোপী নিৰন্তৰ।
শুনিয়োক আৰ আৰে যেন পটন্তৰ ॥
কৃষ্ণৰ নিমিত্তে কৰ্ম্ম ভকতে কৰন্তে।
যদি ছিদ্ৰ পড়ে মনে কৃষ্ণক স্মৰন্তে ॥
তথাপি সাফল কিঞ্চিতেকো নাই বৃথা।
সেহিমতে ভৈল সব গোপিকাৰ কথা ॥—দশম

গোপীসকলে সকলো বাধাবিঘিনি অতিক্ৰম কৰি কৃষ্ণৰ কাষলৈ ল'ৰা বিষয়ত শ্ৰীশঙ্কৰদেৱৰ পটন্তৰ—

বিমোহিত হুয়া সৱে লৰড়ে গোপিনী।
হৰি-ভকতক যেন নলজ্ঘে বিঘিনি ॥
আপদকো নগণি হৰিত কৰে ৰতি।
সেহিমত ভৈল গোপী সমস্তৰ গতি ॥—দশম

গোপীসকল কৃষ্ণৰ সমুখ হ'ল। কিন্তু আকৌ তেওঁলোকৰ পৰীক্ষা আৰম্ভ হল। ৰাস পঞ্চাধ্যায়ৰ প্ৰথম অধ্যায়ৰ ১৭ শ্লোকৰপৰা ২৪ শ্লোকলৈকে এই পৰীক্ষাৰ প্ৰশ্ন। শ্ৰীকৃষ্ণই গোপীসকলক প্ৰথমতে স্বাগত সুধিলে। তাৰ পিছত সুধিলে, তেওঁ তেওঁ-লোকৰ কি প্ৰিয় কাৰ্য্য কৰিব পাৰে? তাৰ পিছত সুধিলে, ব্ৰজৰ মঙ্গল নে? তাৰ পিছত সুধিলে, তেওঁলোকৰ অহাৰ কাৰণ কি?

বজাৰ ঘৰৰ ডাঙৰ চাকৰি পাবলৈ আশা কৰোতা-জনে যেনেকৈ প্ৰথমতে পৰীক্ষা দি মহলাত উঠিব লাগে আৰু চাকৰিত বাহাল হলেও যেনেকৈ তাত নিগাজী (permanent) হবলৈ আৰু প্ৰমোচন পাবলৈ অৰ্থাৎ ওপৰৰ খাপে খাপে উঠাই গৈ থাকিবলৈ Departmental Examination অৰ্থাৎ নানা বিষয়ত পৰীক্ষা দি থাকিব লাগিব, সেইদৰে ভগৱন্তৰ চৰণ-পঙ্কজ পদপ্ৰাৰ্থীয়েও পদে পদে পৰীক্ষা দিব লাগিব। বস্ত্ৰহৰণত পৰীক্ষা আৰম্ভ হৈছিল। গোপীসকল উত্তীৰ্ণ হব নোৱাৰিলে দেখি তেতিয়া তেওঁলোকে ভগৱন্তৰন্তৰ আলিঙ্গনো লাভ কৰিব নোৱাৰিলে। আকৌ তেওঁলোকে পৰীক্ষাত appear হব লগা হল আৰু তেওঁলোকৰ পৰীক্ষা আৰম্ভ হল। শ্ৰীকৃষ্ণই তেওঁলোকক কলে—

দুৰ্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি।
এৰ্ত নাথাকিবা তোমাসৱ শ্ৰীমতি ॥
চৰে বাঘ যোঙ ৰৰাহৰ হুকহুকি।
পুৰুষৰে ভয় ভালুকৰ শুনি উকি ॥—দশম

কোনো কোনো বিষয়ৰ পৰা নিবৃত্ত কৰিব লাগিলে প্ৰথমতে ভয় দেখুৱাব লাগে। মাইকৈ মানুহৰ তিনিটা ডাঙৰ ভয়—যথা প্ৰাণৰ ভয়, লোকভয় আৰু ধৰ্ম্ম ভয়। ভগৱন্তই গোপীসকলৰ তেওঁৰ একান্ত অনুৰাগৰ পৰীক্ষা কৰিবৰ নিমিত্তে প্ৰথমতে প্ৰাণৰ ভয় দেখুৱাই উক্তি যাবলৈ কলে। গোপীসকল

অটল হৈ ৰল। কৃষ্ণই চালে যে গোপীসকলে তেওঁক পাবলৈ নিজৰ জীৱনকো উছৰ্গা কৰিবলৈ সাজু আছে নে নাই অৰ্থাৎ এওঁলোকৰ মানত মই ডাঙৰ নে, এওঁলোকৰ প্ৰাণ ডাঙৰ। গোপীসকলে দেখুৱালে যে কৃষ্ণ ভগৱন্তবস্তু ডাঙৰ, তেওঁলোকৰ প্ৰাণ তুচ্ছ। ভক্তই যেতিয়া ভগৱন্তক পাবৰ নিমিত্তে নিজৰ জীৱন উৎসৰ্গ কৰিবলৈ সাজু হব, তেতিয়াই তেওঁ ভগৱন্তক পাবৰ অধিকাৰী হব। এই পৰীক্ষা অকল গোপীসকলৰ নহয়, ঈশ্বৰ-লাভাকাঙ্ক্ষী সকলো ভক্তৰ। এই পৰীক্ষাত গোপীসকল উত্তীৰ্ণ হল। শ্ৰীকৃষ্ণই গোপীসকলক দ্বিতীয় ভয় দেখুৱালে—

তোমাসাক নেদেখিয়া পিতৃ-মাতৃ ভাই।
পতিপুত্ৰচয় চাই ফুৰে ঠাই ঠাই ॥
লাগ নাপাই মনে বৰ মিলিবে সংশয়।
পালটি গুচায়ো গৈয়া তাসবাৰ ভয় ॥—দশম

এই পৰীক্ষাতো গোপীসকল উত্তীৰ্ণ হল। তেওঁলোক অটল হৈ ৰল। ভগৱন্তই গোপীসকলক ব্যৱহাৰিক কৰ্ত্তব্যভঙ্গৰ ভয় দেখুৱালে অৰ্থাৎ গোপীসকলৰ মনত লৌকিক ব্যৱহাৰ ডাঙৰ নে কৃষ্ণ ডাঙৰ এইটো চালে। ভগৱন্তক পাব খোজা সাধক ভক্তৰ পক্ষেও এই একে পৰীক্ষাই।

ইয়াৰ পিছত ধৰ্ম্মৰ ভয় প্ৰদৰ্শন—
কান্দে শিশুগণ তাক পিয়ায়োক স্তন।
বেবায় বৎস কৰা গৈয়া ধেনুক দোহন ॥
স্বামী আছে গৃহতে কিসক ভৈলা ভ্ৰান্তি।
কৰিয়ো শুশ্ৰূষা তাক তুমি সব শান্তি ॥
স্বামীৰেসে সেৱা কুলস্ত্ৰীৰ মহাধৰ্ম্ম।
পুৰুষক পুষিবা কৰিবা গৃহ কৰ্ম্ম ॥
যদি কলা জৰা কুজা কণা হোৱে পতি।
তাহাকো নেড়িব হেন শাস্ত্ৰৰ সম্মতি ॥
উপপতি সমে ক্ৰীড়া কৰ্ম্ম গৰিহিত।
পৰ্ব্বত সমান পাপ সৌকাৰ্য্য কিঞ্চিত ॥
ইহলোকে নিন্দে পৰলোকে মহাভয়।
স্বামী যেবে জানে মিলে পৰম সংশয় ॥—দশম

এই পৰীক্ষাতো গোপীসকল উত্তীৰ্ণ হল। আৰ্য্য হিন্দুৰমণীৰ স্বধৰ্ম্মবিনয়, লজ্জাশীলতা, নম্ৰতা আৰু গৃহকাৰ্য্যত অনুৰাগ স্বাভাৱিক ভূষণ, প্ৰাণতকৈও মূল্যবান। ভগৱন্তই পৰীক্ষা কৰি দেখিলে, গোপীসকলে তেওঁক পাবলৈ সেইবোৰ তুচ্ছকৈ এৰিব পাৰে নে নোৱাৰে। ধৰ্ম্মনাশ আৰু সদাচাৰত্যাগ এই দুটা গৃহস্থ ৰমণীৰ পক্ষে এৰিব নোৱৰা কাৰ্য্য। এই দুটাকো তেওঁলোকে পৰিত্যাগ কৰি ভগৱন্তক বৰণ কৰিব পাৰে নে নোৱাৰে তেওঁ চালে। শাস্ত্ৰত আছে, তিৰোতাৰ পতিৱেই সৰ্ব্বস্ব, একমাত্ৰ পতি-সেৱাই তিৰোতাৰ ধৰ্ম্ম, আন ধৰ্ম্মানুষ্ঠান তেওঁলোকৰ নাই; কৰিলেও বিফল। শাস্ত্ৰৰ এই কথা দেখুৱাইও তেওঁ পৰীক্ষা কৰিলে। পৰীক্ষাত গোপীসকল উত্তীৰ্ণ হল। ভগৱন্তক পাবৰ আগতে ভক্তৰ অন্তৰত যেনেকুৱা অস্ফুট আন্দোলন হয়, ভগৱন্তই গোপীসকলেৰে সৈতে তাকে লীলা কৰি দেখুৱালে।

গোপীসকল পৰীক্ষাত উঠিল আৰু ভগৱন্ত শ্ৰীকৃষ্ণৰে সৈতে আনন্দময় ৰাসলীলাত যোগ দিবৰ উপযুক্ত হল।

দুই

ৰাসলীলাৰ বৰ্ণনাৰ উপসংহাৰৰ শেষৰ শ্লোকটো—
এৱং শশাঙ্কাংশুবিৰাজিতা নিশাঃ।
স সত্যকামোহনুৰতাবলাগণঃ।
সিষেৱ আত্মন্যৱৰুদ্ধসৌৰতঃ।
সৰ্ব্বাঃ শৰৎকাব্যকথাৰসাশ্ৰয়াঃ ॥

ইয়াৰ অৰ্থ—এইদৰে সত্যসঙ্কল্প ভগৱন্ত শ্ৰীকৃষ্ণই আপোনাৰ শৰীৰতেই শুক্ৰাৱৰোধন কৰি অনুৰক্ত অবলাসকলেৰে সৈতে শৰৎকালোচিত কবি-প্ৰসিদ্ধ শৃঙ্গাৰ ৰসৰ অভিনয় কৰি চন্দ্ৰালোকিত সেই সুদীৰ্ঘ ৰজনী অতিবাহিত কৰিলে।

√শ্ৰীধৰ স্বামীয়ে 'আত্মনি অৱৰুদ্ধ-সৌৰতঃ'ৰ টীকা কৰিছে—'এৱমপ্যাত্মন্যেৱ অৱৰুদ্ধঃ সৌৰতঃ চৰমধাতুঃ নতু স্খলিতো যস্যেতি কামজয়োক্তিঃ।' অৰ্থাৎ শ্ৰীকৃষ্ণই গোপীসকলেৰে সৈতে শৃঙ্গাৰ-ৰসৰ অভিনয় কৰিলেও তেওঁৰ ধাতু স্খলন হোৱা নাছিল; ইয়াতেই কামজয় প্ৰদৰ্শিত হল। স্বামীজীয়ে ৰাসলীলা বৰ্ণনাৰ আদিত কৈছে 'তস্মাদ্ৰাসক্ৰীড়াবিড়ম্বনং কামজয়াখ্যাপনায়েতি তত্ত্বম্।" অৰ্থাৎ ৰাসক্ৰীড়া বিড়ম্বন মাথোন, ৰাসলীলাৰ অনুকৰণত কামজয় প্ৰদৰ্শন কৰাটোৱেই আচল তত্ত্ব।

√শুকদেৱে ৰাসপঞ্চাধ্যায়ৰ শ্লোকবোৰত বাৰে বাৰে শ্ৰীকৃষ্ণক 'পূৰ্ণকাম' 'আত্মাৰাম' ইত্যাদি বিশেষণেৰে বিভূষিত কৰি শ্ৰীকৃষ্ণৰ পূৰ্ণতাৰ চিনাকি দিছে। যি পূৰ্ণকাম তেওঁৰ কোনো কামনা, কোনো অভাৱ থাকিব নোৱাৰে। কামৰ উৎপত্তি মনত আৰু বিকাশ ইন্দ্ৰিয়ত। মানস পুত্ৰ কাম নেথাকিলে ইন্দ্ৰিয়ৰ উত্তেজনা হব নোৱাৰে। ইন্দ্ৰিয়ৰ উত্তেজনা নহলে ইন্দ্ৰিয়ৰ ক্ৰীড়াও অসম্ভৱ। ইন্দ্ৰিয়ৰ ক্ৰীড়া নহলে ধাতু স্খলনো হব নোৱাৰে। ধাতুস্খলনৰ মূল কাৰণেই যেতিয়া কাম আৰু ধাতুস্খলন হোৱা নাই যেতিয়া, মনত কামৰো জন্ম হোৱা নাই, সেইদেখি ধাতুস্খলন হোৱা নাই যেতিয়া মনত কামৰো জন্ম হোৱা নাই, সেইদেখি ধাতুস্খলন হোৱা নাই ৰোলাত কাম জয় দেখুৱা হল।

ৰাসপঞ্চাধ্যায়ৰ প্ৰথম অধ্যায়ৰ শ্লোক—

ভগৱানপি তা ৰাত্ৰীঃ শাৰদোৎফুল্লমল্লিকাঃ।
বীক্ষ্য ৰন্তুং মনশ্চক্ৰে যোগমায়ামুপাশ্ৰিতঃ॥

অৰ্থাৎ—

শৰত কালৰ ৰাত্ৰি আতি ৰিতোপন।
বহুবিধ পুষ্পে বিকশিত বৃন্দাবন॥
দেখি যোগমায়া বলে হৰিষে তহিত।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত্ত॥—দশম

অৰ্থাৎ—শ্ৰীকৃষ্ণ স্বয়ং ষড়ৈশ্বৰ্য্যপূৰ্ণ আত্মতৃপ্ত হৈয়ো শৰৎকালৰ বিতোপন ৰাতিত তেওঁ যোগমায়া নামৰ অচিন্ত্য নিজ শক্তিক আশ্ৰয় কৰি পূৰ্ব্ব প্ৰতিশ্ৰুত ৰাসক্ৰীড়া কৰিবলৈ ইচ্ছা কৰিলে। ইচ্ছা কৰা মানে তেওঁ মায়াক আশ্ৰয় কৰি ৰমণেচ্ছাৰ নিচিনা দেখুৱালে।

এই অধ্যায়ৰ আৰু এটা শ্লোকত আছে—

ইতি বিক্লবিতং তাসাং শ্ৰুত্বা যোগেশ্বৰেশ্বৰঃ।
প্ৰহস্য সদয়ং গোপীৰাত্মাৰামোঽপ্যৰীৰমৎ॥

অৰ্থাৎ-শ্ৰীকৃষ্ণ আত্মাৰাম হৈয়ো গোপীসকলক ৰমণ কৰিলে

পূৰ্ণকাম হৰি যদি জগত ঈশ্বৰ।
তথাপি সাধন্ত আতি প্ৰীতি ভকতৰ॥
হাসি পাছে গোপযুৱতীৰ ৰঙ্গি চিত্ত।
কৰিলন্ত কৃষ্ণে কামকেলি বিপৰীত॥—দশম

এই শ্লোকতো শুকদেৱে দেখুৱালে যে শ্ৰীকৃষ্ণ পূৰ্ণকাম, তেওঁৰ ৰমণেচ্ছা নাই যদিও ভক্ত গোপীসকলৰ প্ৰীতি সাধিবৰ নিমিত্তে ৰমণ কৰিলে। আৰু অনেক ঠাইত, যতে ৰমণৰ কথা উঠিছে, ততে শুকদেৱে শ্ৰোতাসকলক সাৱধান কৰি দিছে, যাতে তেওঁলোকে ৰমণৰ কথা শুনি কামজনিত প্ৰাকৃত ৰমণৰ কথা বুলি নাভাবে।

বাস্তৱিকতে ৰাসলীলা শুনি বা পঢ়ি পোনতে মনত যেনে ভাব উদয় হয়, আচলতে তাত তেনেকুৱা একো নাই। শ্ৰীকৃষ্ণই যোগমায়াৰ বলেৰে তেনেকুৱা দেখুৱাইছিল মাথোন। পৰীক্ষিতৰ সংশয় গুচাবৰ নিমিত্তে শুকদেৱেও তাকেই কৈছে। প্ৰথম মূল শ্লোকতেই 'ৰন্তুং মনশ্চক্ৰে যোগমায়ামুপাশ্ৰিতঃ'। জীৱ মাত্ৰৰে চিৰকাল জীয়াই থাকিবৰ ইচ্ছা, মৰিবৰ ইচ্ছা কাৰো নাই। জীৱৰ এইটো স্বাভাৱিক ইচ্ছা। এই ইচ্ছা যদি পূৰ্ণ নহয় বা কেতিয়াও পূৰ্ণ কৰিব পৰা নহয়, তেন্তে ঈশ্বৰে অনাহকত সকলো প্ৰাণীৰ মনত এই ইচ্ছাৰ বীজ নিহিত কৰি নিদিলেহেঁতেন। এতেকে এইটো নিঃসন্দেহে সিদ্ধান্ত কৰিব পাৰি যে জীৱই স্বভাৱতে যি বিচাৰে সেইটো অন্তত পোৱা যাব পাৰে। সূৰ্য্যৰ ৰশ্মি যেনেকৈ সূৰ্য্যৰপৰা স্বকীয়া অথচ স্বকীয়া নহয়, চিৰকাল সদানন্দময় ভগৱন্তৰ প্ৰীতি সাধন কৰি আনন্দ আস্বাদন কৰাটোৱেই জীৱৰ স্বৰূপত অৱস্থান। গোপীসকলে তাকে পাবৰ নিমিত্তে ব্যাকুল হৈছিল আৰু ভকতৰ বশ্য ভগৱন্তই তাকে তেওঁলোকক দিবলৈ ইচ্ছা কৰিছিল। তেওঁ গীতাত নিজ মুখেই কৈছে—'যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈব ভজাম্যহম্।' অৰ্থাৎ যি যেনেকৈ মোক ভজনা কৰে মই তাক সেইভাৱেই কৃপা কৰোঁ। 'ৰন্তুং মনশ্চক্ৰে' মানে ভগৱন্তই ৰমণ কৰিবলৈ ইচ্ছা কৰিলে। 'ৰম্' ধাতুৰ অৰ্থ আনন্দ আস্বাদন কৰা। আনন্দময় 'পতিঃ পতীনাং পৰমং পৰস্তাৎ' ভগৱন্ত বস্তুৰে সৈতে মিলিত হোৱাটোৱেই জীৱৰূপা প্ৰকৃতিৰ ৰমণ বা আনন্দ আস্বাদন। আৰু শৰণাগত ভক্ত জীৱৰ মনোবাঞ্ছা পূৰ্ণ কৰাটোৱেই ভক্তবৎসল ভগৱন্তৰ স্বভাৱ, ইচ্ছা অৰ্থাৎ ৰমণ। সেই বাবেই তেওঁৰ নাম ৰাম।

চৈতন্য শক্তিৰ দ্বাৰে ইটো জড় জগতক
ৰমায়ন্ত কৰ্ম্ম অনুৰূপে।
এতেকেসে ঈশ্বৰৰ পৰম প্ৰসিদ্ধ ৰাম
নাম আক জানিবা স্বৰূপে॥ —ঘোষা

আত্মাৰাম ভগৱন্তৰ ইচ্ছা তেওঁৰ নিজৰ কোনো অভাৱ পূৰণৰ নিমিত্তে নহয়। তেওঁ ইচ্ছাময়, তেওঁৰ ইচ্ছা হৈয়েই আছে। প্ৰকৃত স্ত্ৰী-পুৰুষৰ ৰমণৰ নিচিনাকৈ শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ ৰমণৰ বাহ্য ক্ৰিয়া নাই, মাথোন অবাধ আনন্দ। নিজানন্দ-পৰিপূৰ্ণ ভগৱন্তৰ ৰমণৰ আৱশ্যক নহয়। নিত্যানন্দ শ্ৰীৰামে এই জড় বিশ্বজগতত স্থাৱৰ-জঙ্গম, পশু-পক্ষী মনুষ্য সকলোৰে সৈতে তেওঁৰ চৈতন্য শক্তিৰ দ্বাৰাই নিতৌ নিৰৱচ্ছিন্নভাৱে ৰমণ কৰি, সেইসকলক কৰ্ম্ম অনুৰূপে ৰমণ কৰাব লাগিছে। আনন্দময় মূৰ্ত্তি শ্ৰীকৃষ্ণৰ দ্বাৰাই আলিঙ্গিত বা তেওঁৰে সৈতে মিলিত হলেই সকলো আনন্দৰ আশা পৰিপূৰ্ণ হৈ গল। আৰু ক্ৰিয়াৰ আৱশ্যকতা ক'ত? ক্ৰিয়াৰ দ্বাৰাই যিটোক পাবলৈ আশা অৰ্থাৎ যি আনন্দক পাবলৈ চেষ্টা, মূৰ্ত্তিমান সেই আনন্দক হাততে পালে আৰু ক্ৰিয়াৰ প্ৰয়োজন ক'ত থাকিব পাৰে? ভগৱন্তৰ এক অত্যাশ্চৰ্য্য ঐশী শক্তিৰ নাম যোগমায়া। যোগমায়াৰ প্ৰভাৱত অসত্যক সত্য যেন দেখি। তেওঁ নিজ মুখে গীতাত কৈছে—'নাহং প্ৰকাশঃ সৰ্ব্বস্য যোগমায়াসমাবৃতঃ।' অৰ্থাৎ মই যোগমায়াৰে সমাবৃত থাকো, সেইদেখি সকলোৱে মোক ঠিক দেখিবলৈ নেপায়। এতেকে এইটো ঠিক বুজিব পাৰি বহিৰ্মুখ মানুহৰ নিমিত্তেই পৰম নিগূঢ় ৰাসলীলাত এনে এটা বাহিৰা আৱৰণ আছে। ভগৱন্তই যোগমায়াৰে তেওঁৰ ৰাসলীলাক ৰতিক্ৰিয়াৰ নিচিনা দেখুৱাইছিল মাথোন। প্ৰথম শ্লোকতে ব্যাসদেৱে সেইদেখি এই কথা 'যোগমায়ামুপাশ্ৰিতঃ' বুলি স্পষ্টকৈ কৈ দিছে।

বেদত কৈছে, 'ব্ৰহ্ম আশ্চৰ্য্য আৰু ব্ৰহ্মৰ শ্ৰোতা, বক্তা আৰু জ্ঞাতাও আশ্চৰ্য্য।' আঠ-ন বছৰীয়া শ্ৰীকৃষ্ণ বৃন্দাবনত ৰাসলীলাৰ নায়ক। শিশু কৃষ্ণৰ পুতনা-শোষণ, শকট-ভঞ্জন, চক্ৰবাত নিধন আদি লীলা অতি আশ্চৰ্য্য লীলা। বেদোক্ত পৰম ব্ৰহ্মই যে আনন্দঘন-বিগ্ৰহ শ্ৰীকৃষ্ণৰূপে এই আশ্চৰ্য্য লীলা কৰিছিল, বেদ-বিভাগকাৰী, বেদান্তসূত্ৰ প্ৰণেতা মহাভাৰতান্তৰ্গত গীতা ৰচোতা বেদব্যাসে তেওঁৰ চিত্তপ্ৰশমক পুৰাণ-সূৰ্য্য স্বৰূপ শ্ৰীমন্তভাগৱতত তাকে concrete ভাবে দেখুৱাইছে। এনে লীলা আধ্যাত্ম-দৃষ্টিশূন্য সৰ্ব্বসাধাৰণৰ চকুত অসম্ভৱ লাগিবৰে কথা। ব্ৰহ্মাইও তেওঁৰ লীলাৰ মৰ্ম্মৰ অন্ত নেপাই গোপবালক শ্ৰীকৃষ্ণৰ আগত সাষ্টাঙ্গে প্ৰণাম কৰি বৃন্দাবনত কৈছিল—

> ক্বাহং তমোমহদহংখচৰাগ্নিবাৰ্ভূসংবেষ্টিতাণ্ডঘটসপ্ত-
> বিতস্তিকায়ঃ।
> ক্বেদৃগ্‌বিধাবিগণিতাণ্ডপৰাণুচৰ্য্যাৱাতাধ্বৰোম-
> বিবৰস্য চ তে মহিত্বম্‌॥

অৰ্থাৎ—ক্ষুদ্ৰ মই ক'ত? আৰু পৰম মহান্ তুমি ক'ত? ক্ষিত্যাদি সপ্ত তত্ত্বগঠিত এটি ব্ৰহ্মাণ্ড মোৰ শৰীৰ। আৰু তোমাৰ শৰীৰৰ ৰোমকূপত এনেকুৱা অগণ্য ব্ৰহ্মাণ্ড সোমাইছে আৰু ওলাইছে, যেনেকৈ খিৰিকী-দুৱাৰত পৰমাণুবোৰ সোমায় আৰু ওলায়।

> ৰোম-বিবৰমহ কোটি কোটি অণ্ড তাণ্ডৱ
> কৰু সম ৰেণুং।

শ্ৰীকৃষ্ণই গীতাত অৰ্জ্জুনক কৈছে—

> মম যোনিৰ্মহদ্ ব্ৰহ্ম তস্মিন গৰ্ভং দধ্যাম্যহম্।
> সম্ভৱঃ সৰ্ব ভূতানাং ততো ভৱতি ভাৰত॥

ইয়াৰ অৰ্থ—প্ৰকৃতি মোৰ যোনি অৰ্থাৎ গৰ্ভাধান স্থান। মই তাত চিদ্‌বীৰ্য্য নিক্ষেপ কৰিলে, তাৰ পৰা সকলো ভূতৰ উৎপত্তি হয়।

~/ ঈশ্বৰ পুৰুষৰ এই বিহাৰ বা লীলাত যি ৰস প্ৰৱৰ্ত্তে, সেই ৰস সৃষ্টিৰ আদি কাৰণ দেখি তাক আদি ৰস বোলে। ইয়াত ইন্দ্ৰিয় তৃপ্তিৰ ইচ্ছা বা ইন্দ্ৰিয়ৰ সম্বন্ধ নথকাৰ নিমিত্তে ই অশ্লীল নহয়। পুৰুষ আৰু স্ত্ৰীৰ সংযোগত সন্তান উৎপাদনৰ যি কাৰণ তাকো আদি ৰস বোলে আৰু যদিও সি সংসাৰ-ৰক্ষাৰ নিমিত্তে অপৰিহাৰ্য্য তথাপি লৌকিক হিচাপত সি অশ্লীল। সংসাৰ-ধৰ্ম্ম ৰক্ষা আৰু সন্তানোৎপাদন যি কাৰ্য্যৰ উদ্দেশ্য নহয়, যাৰ উদ্দেশ্য কেৱল ইন্দ্ৰিয় পৰিতৃপ্তি সি অশ্লীল নোহোৱাটো দূৰৰ কথা, আদি ৰস বাচ্যই নহয়। সংসাৰ-ধৰ্ম্ম ৰক্ষাৰ নিমিত্তে যি ৰস আদি কাৰণ তাক শৃঙ্গাৰ ৰসো বোলে। শৃঙ্গ অৰ্থাৎ স্ত্ৰীপুংচিহ্নৰ অৱলম্বনত তাৰ আবিৰ্ভাৱ। ত্ৰিগুণাত্মিক আদি ৰসৰপৰা জগৎসৃষ্টি, কামময় আদি ৰসৰপৰা সকলো জীৱৰ উৎপত্তি, কিন্তু কাম গন্ধহীন বিশুদ্ধ আনন্দময় আদি ৰসতেই জীৱৰ স্বৰূপত অৱস্থান। পাৰ্থিৱ মলিন আদি ৰস পৱিত্ৰমূল আদি ৰসৰেই বিকৃতি। অবিদ্যাপৰিচ্ছিন্ন মলিন আদি ৰসৰ ভিতৰেদি গৈ থাকিবলগীয়া হৈও ক্ৰমাৎ মলিনতা মুক্ত হৈ মূল মধুৰ আদিৰসাস্বাদন কৰিব পাৰিলেই জীৱই চিৰ-বিশ্ৰাম আৰু সদানন্দ লাভ কৰে। অৰ্থাৎ জীৱই বিশুদ্ধ হৈ আনন্দময় মূৰ্ত্তিমান পৰম ব্ৰহ্মৰ আলিঙ্গন লাভ কৰিব পাৰিলেই তেওঁ আনন্দঘন শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ ৰাসমণ্ডলৰ সহচৰ হল। ভগৱন্তৰ এই লীলাৰ নামেই ৰাসলীলা। এই ৰাস-লীলাত ক্ৰিয়া নাই, ফল আছে; কামনা নাই, তৃপ্তি আছে; সম্ভোগ নাই, আনন্দ আছে। এই লীলাৰ অলপ অচৰপ আভাস দিবলৈ হলেও পাৰ্থিৱ শৃঙ্গাৰ ৰস বা আদি ৰসৰ আশ্ৰয় লব লাগিব। এই বাবেই শ্ৰুতিত এনে উপমাকে দিছে—'তদ্‌যথা প্ৰিয়য়া স্ত্ৰিয়া সম্পৰিস্বক্তো ন বাহ্যং কিঞ্চন বেদ নান্তৰমেৱমেবায়ং পুৰুষঃ।' অৰ্থাৎ মানুহে যেনেকৈ প্ৰিয়তমা স্ত্ৰীৰে সৈতে আলিঙ্গিত হলে অন্তৰ্বাহ্য সকলো পাহৰি যায়, সেইদৰে জীৱই পৰমাত্মাৰ সৈতে আলিঙ্গিত হলে অন্তৰ্বাহ্য একোকে জানিব নোৱাৰে, সকলো পাহৰি যায়। শ্ৰুত্যুক্ত এই বাক্যৰে অৰ্থ শ্ৰীকৃষ্ণই প্ৰত্যক্ষ দেখুৱালে যে গোপীসকলে তেওঁৰ সৈতে আলিঙ্গিত হৈ নিজৰ শৰীৰ, ঘৰ-সংসাৰ সকলো পাহৰি গল।

পঞ্চম অধ্যায়ৰ দ্বিতীয় শ্লোকৰ টীকাত শ্ৰীধৰ স্বামীয়ে ৰাসক্ৰীড়াৰ অৰ্থ কৰিছে—'ৰাসক্ৰীড়া—ৰাসো নাম বহুনৰ্ত্তকীযুক্তনৃত্যবিশেষঃ।' অৰ্থাৎ বহু নৰ্ত্তকীয়ে কৰা একৰকম নৃত্যকে ৰাস বোলে। স্বামীয়ে ৰাস-পঞ্চাধ্যায়ৰ প্ৰথম শ্লোকৰ টীকাত প্ৰথমতে কৈছে 'তস্মাদ্ৰাসক্ৰীড়াবিড়ম্বনং কামজয়াখ্যাপনায়েতি তত্ত্বম্।' অৰ্থাৎ ভগৱন্তই কামজয় প্ৰদৰ্শন কৰিবৰ নিমিত্তেই ৰাস-নামক নৃত্যৰ অনুকৰণ কৰি লীলা কৰিছিল, এইটোৱেই আছিল তত্ত্বকথা। ভগৱন্ত শ্ৰীকৃষ্ণই প্ৰাকৃত নৰ্ত্তক-নৰ্ত্তকীৰ অনুকৰণ কৰি অপ্ৰাকৃত ৰসতত্ত্বহে ব্যক্ত কৰিছিল। প্ৰাকৃত বস্তু প্ৰাকৃত জগতৰ ভাব ভাষা আৰু কাৰ্য্যৰ আশ্ৰয় নললে প্ৰাকৃত উপাদানেৰে গঠিত মনুষ্যই অপ্ৰাকৃত জগতৰ তত্ত্ব ব্যক্ত কৰিব বা বুজিব নোৱাৰে। নিৰ্গুণ ঈশ্বৰৰ গুণ যথাকথঞ্চিত বুজিবৰ বা বুজাবৰ হলেও আমাৰ প্ৰাকৃত জগতৰ ভাব, ভাষা, কাৰ্য্য আৰু ৰসৰ আশ্ৰয় নললে নচলে। প্ৰাকৃত জগতৰ দৃষ্টান্তৰেই আশ্ৰয় লৈ অপ্ৰাকৃত জগতৰ আভাস কৰিব লগীয়া হোৱা যায় যেতিয়া, ভগৱন্ত শ্ৰীকৃষ্ণই প্ৰাকৃত নৰ্ত্তক-নৰ্ত্তকীৰ নিচিনাকৈ লীলা কৰি দুৰ্ব্বোধ আত্মতত্ত্ব

যে সুবোধ কৰি দিলে তাত সন্দেহ কৰিবৰ বাট ক'ত ? ভগৱন্তৰ অৱতাৰৰ মূল উদ্দেশ্যই সেইটো—

অনুগ্ৰহায় ভক্তানাং মানুষং দেহমাশ্ৰিতঃ ।
ভজতে তাদৃশীঃ ক্ৰীড়া যাঃ শ্ৰুত্বা তৎপৰো ভৱেৎ ॥

পৰম দুৰ্ব্বোধ আত্মতত্ত্ব   তাৰ জ্ঞান অৰ্থে হৰি যত
লীলা অৱতাৰ ধৰা তুমি কৃপাময় ।   —ঘোষা

এতেকে আমি বুজিলো যে শ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰাকৃত ৰাসলীলাৰ অনুকৰণ মাথোন, শ্ৰীকৃষ্ণ প্ৰাকৃত মনুষ্য নহয় ।

ৰামকৃষ্ণ নোহন্ত মানুষ ।
তাৰা দুই পৰম পুৰুষ ॥—মাধৱদেৱ

তেওঁ গোপীসকলেৰে সৈতে প্ৰাকৃত নৰ্ত্তকনৰ্ত্তকীৰ দৰে সেই লীলাৰ অনুকৰণ কৰিছিল মাথোন, দৃশ্য-কাব্যৰ অভিনয় কৰি প্ৰত্যুক্ত পৰমতত্ত্ব ভক্তসকলৰ সহজ বোধ্য কৰি দিছিল মাথোন । ভগৱন্ত অপ্ৰাকৃত হৈও প্ৰাকৃতৰ নিচিনাকৈ পাৰ্থিৱ লীলা কৰিছিল । ৰাসলীলা আনন্দময়ৰ নিত্যলীলাৰ প্ৰাকৃত চকুৰ আগত আংশিক বিকাশ । কৃষ্ণলীলা ভাবুক ভক্তৰ বিচাৰৰ বস্তু নহয়, আস্বাদনৰহে বস্তু । খাবলৈ বহি এই ভাতৰ চাউল কৰ পৰা আহিল, ইয়াৰ বেচ কিমান ইত্যাদি বিচাৰ কৰিবলৈ গলে তাৰ সোৱাদ পোৱা নাযায় । খালেহে সোৱাদ পোৱা যায় । নৰিয়াই ঔষধৰ দৰবৰ উপাদানৰ বিষয়ে বিচাৰ তৰ্ক কৰিবলৈ বহিলে, নৰিয়া নুগুচে । সেই দৰব খালেহে তেওঁ নীৰোগ হয় । ভৱৰোগীয়ে কৃষ্ণলীলা মহৌষধি সেৱন কৰিলেহে ভৱৰোগৰপৰা পৰিত্ৰাণ পাব, তাৰ বিচাৰ কৰি সময় নষ্ট কৰিলে নহয় । ভৱৰোগীৰ কাতুৰ্ব্বাদ প্ৰাৰ্থনা এইটোহে ।

একে ভৱৰোগে মোক সহজে পীড়য় ।
বিষয় অপথ্য তাতে খাইলো অতিশয় ॥
জানো কৃষ্ণ তযু গুণ পৰম অমৃত ।
তোমাৰ ভক্তৰ সঙ্গে পিয়াৱোক নিত ॥
তেবেসে দুৰ্ব্বোৰ ভৱ-ৰোগ হোৱে দূৰ ।
জানি কৃষ্ণ কৰা মোক কৰুণা প্ৰচুৰ ॥

শাস্ত্ৰত কৈছে—'ৰস্যতে আস্বাদ্যতে অসৌ ৰসঃ' অৰ্থাৎ যাক আস্বাদন কৰা যায় সিয়েই ৰস । হাস্য, কৰুণ, বীৰ আদি নটা ৰসৰ কথা শাস্ত্ৰত আছে । হাস্যৰ স্থায়ীভাৱ হাস্যৰ ভিতৰত আছে, কৰুণৰ স্থায়ীভাৱ শোকৰ ভিতৰত ; বীৰৰ স্থায়ীভাৱ উৎসাহ আৰু বীৰ্য্যৰ ভিতৰত আছে, ইত্যাদি । সেই স্থায়ীভাৱ হৈছে আনন্দ । আনন্দৰ বাহিৰে আমাৰ আস্বাদ্য বস্তুৱেই নাই । কৰুণ ৰোদনৰ অন্তৰতো নিকুট আনন্দ আছে । যি কান্দে, সিও কান্দি আৰাম পায় নতুবা সেই কাৰ্য্য সি নকৰিলেহেঁতেন । খঙালে খং কৰিও একপ্ৰকাৰ অনিৰ্ব্বচনীয় আনন্দ লাভ কৰে । জলা, তিতা, কেহা যি খাই চকুৰ পানী পেলায়, তাৰো আস্বাদ্য আনন্দ । জালৰ তাপত তাৰ চকুৰ পানী ওলাই গৈছে তথাপি জলা আগ্ৰহে সি ভাল পায় । মিঠা খোৱাইতো মিঠাৰ ভিতৰেদি আনন্দকহে বিচাৰে । এই নটা ৰসত অনুৰাগী প্ৰত্যেকৰ আচৰণ স্বকীয়া হলেও, প্ৰত্যেকৰ লক্ষ্য আনন্দৰ ফালে, প্ৰত্যেকৰ উদ্দেশ্য আৰু আস্বাদ্য আনন্দ মাথোন । ঐক্যতান সঙ্গীতৰ নানা বাজনাৰ মাত স্বকীয়া হলেও সকলোবোৰ একে সুৰতে বন্ধা । জগত-সংসাৰত সকলোৰে গতি আৰু কাৰ্য্য বিভিন্ন যেন দেখা গলেও, বাস্তৱিকতে সকলোৰে মূল উদ্দেশ্য একে অৰ্থাৎ আনন্দৰ আস্বাদন, কাৰণ আনন্দৰ সুমধুৰ সুৰতে জগত বন্ধা । 'এতস্যৈৱ আনন্দস্য অন্যানি ভূতানি মাত্ৰামুপজীৱন্তি' (বৃহদাৰণ্যক) । 'কো হ্যেৱান্যাং কঃ প্ৰাণ্যাৎ । যদেষ আকাশ আনন্দো ন স্যাৎ । এষ হ্যেৱানন্দয়াতি' (তৈত্তিৰীয়) । অৰ্থাৎ যদি আনন্দ স্বৰূপ আকাশ (ব্ৰহ্ম) নাথাকিল-হেঁতেন, কোন জীয়াই থাকিলহেঁতেন । তেৱেঁই আনন্দিত কৰে । বেদান্তৰ পঞ্চদশীত সেই দেখি কৈছে যে গুণময় প্ৰকৃতিৰ বিকাৰ বিষয়ৰ পৰা আমাৰ যি আনন্দানুভৱ হয়, তাৰ কাৰণ আনন্দঘন ব্ৰহ্মৰ তাত ক্ষণিক আভাস । সকলোৱে প্ৰকৃত ৰস অৰ্থাৎ আনন্দৰ অনুসন্ধান কৰি ফুৰিছে, তাৰ কোটি কোটি অংশৰ কণাৰ আভাস পাই বলিয়া হৈ ফুৰিছে, কিন্তু আচল ৰস বা আনন্দ নাই পোৱা । নকলকে আচল ভাবি আটায়ে তাতে ক্ষণিক সুখ শান্তি বোধ কৰিছে, কিন্তু সি যে প্ৰকৃত ৰস বা আনন্দ নহয়, সেইদেখি জীৱই তাত স্থিৰ শান্তি পোৱা নাই ; বৰং ক্ৰমে, ক্ৰমে বেছি অশান্তিহে পাই আহিছে । ছাঁ আচল বস্তু নহয় । আচল বস্তু পালেই চিৰশান্তি, চিৰানন্দ । কিন্তু ছাঁ থাকিলে যেনেকৈ আচল থাকিবই লাগিব নতুবা ছাঁৰ জন্ম অসম্ভৱ, সেইদৰে আচল আনন্দ, আচল ৰসময় পৰম বস্তু আছেই আছে । জীৱৰ সেয়েই প্ৰকৃত লক্ষ্য, উদ্দেশ্য, প্ৰাপ্তিস্থান আৰু চিৰবিশ্ৰাম, জীৱই বিষয়ত যি আনন্দ ভোগ কৰে সেইটো পিয়াহ-লগা মানুহে চেচা পানীৰ কলহৰ 'গাত চেলেকাৰ নিচিনা । সেই চেলেকনিত পিয়াহ নুগুচি বাঢ়েহে । জগতৰ অন্তৰ্য্যামী ব্ৰহ্মানন্দৰস জীৱই পান কৰিব নোৱাৰি পঞ্চেন্দ্ৰিয়ৰ সাহায্যত তাৰ ওপৰত চেলেকিছে মাথোন ; এতেকে জীৱৰ পিয়াহৰ শান্তি ক'ত ? এই বহিৰা-ৱৰণ ভেদ কৰি প্ৰকৃত পৰম ৰস পান কৰিব পাৰিলেহে জীৱৰ শান্তি । ৰাসলীলাৰ শৃঙ্গাৰ ৰসস্বৰূপ বহিৰা-ৱৰণত যি আটক হৈ থাকে, সি তাৰ পৰম তত্ত্ব

লাভ কৰিব নোৱাৰে। সেই পৰম তত্ত্বহে হৃদ্‌ৰোগ কামৰ ঔষধ। বাহিৰৰ ফাল ৰাকলিহে।

তিনি

ৰাসলীলাৰ নিগূঢ় তত্ত্বত প্ৰৱেশ কৰিব নোৱাৰি তাৰ বহিৰাবৰণত মাথোন দৃষ্টি ৰাখিলে যে মানুহৰ মনত সংশয় উপস্থিত হয়, সি ৰাসলীলা শ্ৰৱণ কৰি পৰীক্ষিতৰ মনত উপস্থিত হোৱা সংশয়তে প্ৰকাশ পায়। এইটো নিশ্চয় যে পৰীক্ষিতে শ্ৰীকৃষ্ণক পূৰ্ণব্ৰহ্ম বুলি জানিছিল। তেওঁ নিজে যে ৰাসলীলাৰ বহিৰাবৰণ ভেদ কৰি গূঢ় পৰমতত্ত্বত উপস্থিত হব পৰা নাছিল এনেও নহয়। ৰাসলীলা শুনি সাধাৰণ মানুহৰ মনত যেনে সংশয় হব, প্ৰশ্নৰ ছলতে শুকদেৱৰ দ্বাৰাই যথাৰ্থ উত্তৰ দিয়াই সেই সংশয় সকলোৰে নিমিত্তে যাতে ছেদ হয়—আচলতে তাৰ নিমিত্তেহে তেওঁৰ প্ৰশ্ন। পৰীক্ষিতে শুকদেৱক সুধিলে—

সংস্থাপনায় ধৰ্ম্মস্য প্ৰশমায়েতৰস্য চ।
অৱতীৰ্ণোহি ভগৱানংশেন জগদীশ্বৰঃ॥
স কথং ধৰ্ম্মসেতুনাং ৱক্তা কৰ্ত্তাভিৰক্ষিতা।
প্ৰতীপমাচৰদ্ ব্ৰহ্মন্ পৰদাৰাভিমৰ্ষণম্॥
আপ্তাকামো যদুপতিঃ কৃতৱান্ ৱৈ জুগুপ্সিতম্।
কিমভিপ্ৰায় এতং নঃ সংশয় ছিন্ধি সুব্ৰত॥

অৰ্থাৎ—ধৰ্ম্মক ৰাখিবা অধৰ্ম্মক নাশি।
ই কাৰ্য্যে ভৈল অৱতাৰ আসি॥
ধৰ্ম্মৰ ৰক্ষক হুয়া মুৰাৰি।
ক্ৰীড়িলা কেনে পৰ গোপনাৰী॥
হোৱন্ত হৰি যদি পূৰ্ণকাম।
কৰিলা কেনে গৰিহিত কাম॥
ছেদিও সংশয় কৈয়ো বৃত্তান্ত।
দিলন্ত শুনিয়া শুকে সিদ্ধান্ত॥
ধৰ্ম্মব্যতিক্ৰমো দৃষ্ট ঈশ্বৰাণাঞ্চ সাহসম্।
তেজীয়সাং ন দোষায় বহ্নেঃ সৰ্ব্বভুজো যথা॥

অৰ্থাৎ—পৰম ঈশ্বৰে কৰে অকৰ্ম্ম।
তেজস্বীত কিছু নাহি অধৰ্ম্ম॥
সৰ্ব্বভক্ষ বহ্নি সবাকো শোষে।
তথাপিতো কিছু নোছোৱে দোষে॥

—কীৰ্ত্তন-ঘোষা

এইটো শুকদেৱৰ প্ৰথম পোনপটিৰ উত্তৰ মাথোন। 'ঈশ্' ধাতুৰ অৰ্থ প্ৰভুত্ব কৰা। 'সৰ্ব্বস্য প্ৰভুম্ ঈশানম্' (শ্বেতাশ্বেতৰ উপনিষদ)। 'য ঈশেহস্য দ্বিপদশ্চতুষ্পদঃ।' (শ্বেত)। 'য ইমান্ লোকান্ ঈশত ঈশনীভিঃ।' যিসকলে ইন্দ্ৰিয়ৰ অধীন নহৈ ইন্দ্ৰিয়ৰ ওপৰত প্ৰভুত্ব কৰিব পাৰে তেওঁলোকেই ঈশ্বৰ। তেওঁলোকৰ পাপ-পুণ্য নাই। যাৰ আত্মাভিমান নাই, যি ইন্দ্ৰিয়ৰ অধীন হৈ সকামভাৱে কোনো কাম নকৰে, তেৱেঁই ঈশ্বৰ, তেৱেঁই তেজস্বী। কৰ্ম্মৰ ফল আছেই। যাৰ কৰ্ম্ম তাৰ ফল নিশ্চয় থাকিব। দেহ যদি অহংশূন্য হল, তেনেহলে দেহকৃত কৰ্ম্মৰ ফল দেহীৰ নহয়। সেইদেখি শুকদেৱে ৰুদ্ৰৰ উদাহৰণ দি কৈছে,—

ৰুদ্ৰক দেখি বিষ খায় আনে।
সিজনে যেন মৰি যায় প্ৰাণে॥—কীৰ্ত্তন

'ৰুদ্ৰৰ আত্মাভিমান নাই, ইন্দ্ৰিয়ৰ অধীন তেওঁ নহয়, বৰং ইন্দ্ৰিয়হে তেওঁৰ অধীন; সেইদেখি তেওঁ বিষ খায়ো নমৰিল। কিন্তু তেওঁক দেখি তেওঁৰ আহি লৈ আনে অৰ্থাৎ যাৰ আত্মাভিমান আছে, যি ইন্দ্ৰিয়ৰ দাস, তেওঁ বিষ খালে মৰিবই; কাৰণ বিষপান কৰ্ম্মৰ ফল—মৃত্যু। অগ্নিয়ে কেঁচা শুকান সকলোকে পোৰে, সকলোকে ভস্ম কৰে। অগ্নি ঈশ্বৰৰ শক্তিয়ে শক্তিমন্ত। যি তেনে ঐশ্বৰিক শক্তিৰে শক্তিমন্ত নহয়, তেওঁ সৰ্ব্বভুক্ হবলৈ গলে, তেওঁৰ বিনাশ নিশ্চয়।

সৰ্ব্বভক্ষ বহ্নি সবাকো শোষে।
তথাপিতো তাক নোছোৱে দোষে॥—কীৰ্ত্তন

ঈশ্বৰসকলৰে যেতিয়া এনে ক্ষমতা, এনে প্ৰভুত্ব, ঈশ্বৰৰো ঈশ্বৰ পৰম মহেশ্বৰ শ্ৰীকৃষ্ণৰ এনে কাৰ্য্যত কেনেকৈ দোষ হব পাৰে? শ্ৰীকৃষ্ণ 'তমীশ্বৰাণাম্ পৰম মহেশ্বৰম্' (শ্বেত)। তেওঁৰ বীৰ্য্যেৰে অগ্নি বায়ু, ইন্দ্ৰ, ব্ৰহ্মা, ৰুদ্ৰ সকলো বীৰ্য্যৱন্ত। এই তত্ত্ব বিশদ কৰিবৰ নিমিত্তে কেনোপনিষদত এটা উপাখ্যান আছে—'ব্ৰহ্ম হ দেৱেভ্যো বিজিগ্যে। তস্য হ ব্ৰহ্মণো বিজয়ে দেৱা অমহীয়ন্ত। ত ঐক্ষন্ত অস্মাকমেৱায়ং বিজয়ঃ অস্মাকমেৱায়ং মহিমা।' অৰ্থাৎ কোনো এক সময়ত ব্ৰহ্মই দেৱতাসকলক জয়ী কৰিছিল। ব্ৰহ্মকৃত এই বিজয়ত দেৱতাসকল স্পৰ্ধিত হৈ ভাবিলে যে এই বিজয় আমাৰেই, এই মহিমা আমাৰেই। ব্ৰহ্মাই তেওঁলোকৰ এই ভ্ৰম দূৰ কৰিবৰ নিমিত্তে এটি অদ্ভুত মূৰ্ত্তি পৰিগ্ৰহ কৰি তেওঁলোকৰ আগত আৱিৰ্ভূত হল। 'তন্ন ব্যজানন্ত কিমিদং যক্ষমিতি।' দেৱতাসকলে তেওঁক জানিব নোৱাৰিলে। তেওঁলোকে কলে, এইটো কি অদ্ভুত বস্তু? তেওঁলোকে অগ্নিক কলে—'জাতৱেদা' অৰ্থাৎ এইটো কি 'যক্ষ' জানি আহা। অগ্নি সেই মূৰ্ত্তিৰ ওচৰ চাপিলত মূৰ্ত্তিয়ে সুধিলে 'কোহসি'—'তুমি কোন?' অগ্নিয়ে উত্তৰ দিলে 'মোক নাজানানে? মই অগ্নি।' ব্ৰহ্মাই সুধিলে-'তস্মিন্ ত্বয়ি কিং বীৰ্য্যম্।' অৰ্থাৎ তোমাত কি শক্তি আছে? অগ্নিয়ে উত্তৰ দিলে—'অপীদং সৰ্ব্বং দহেয়ং যদিদং পৃথিব্যাম্'।

পৃথিৱীত যি আছে, মই সকলোকে দহন কৰিব পাৰোঁ।। ব্ৰহ্মই কলে—'বেছ, তেন্তে এই তৃণডাল পোৰা চোন।' অগ্নিয়ে তেওঁৰ সকলো শক্তি প্ৰয়োগ কৰিও সেই তৃণডাল পুৰিব নোৱাৰি নিবৃত্ত হৈ দেৱতাসকলক কলে,—'নৈতদশকং বিজ্ঞাতুং যদেতদ্ যক্ষমিতি।' এইটো কি অদ্ভুত বস্তু মই জানিব নোৱাৰিলোঁ। দেৱতাসকলে তাৰ পিছত বায়ুক পঠিয়ালে। বায়ু ব্ৰহ্মৰ ওচৰ চাপিলত ব্ৰহ্মই সুধিলে—'তুমি কোন?' বায়ুৱে উত্তৰ দিলে—'বায়ুৰ্ব্বা অহমস্মি মাতৰিশ্বা বা অহমস্মি,' 'মই বায়ু, মই মাতৰিশ্বা, সমস্ত জগত আদান কৰিব পাৰোঁ।' ব্ৰহ্মই কলে—'বাৰু বেছ কথা; তেন্তে এই তৃণডালি আদান কৰাচোন।' বায়ুৱে তেওঁৰ গোটেই শক্তি প্ৰয়োগ কৰিও তৃণডালি লবাব নোৱাৰিলে। বায়ু উভতি আহি সেই কথা দেৱতাসকলক কলত, দেৱতাসকলে এইবাৰ ইন্দ্ৰক পঠিয়ালে। ইন্দ্ৰ ওচৰ চাপি অহা দেখি ব্ৰহ্ম অন্তৰ্দ্ধান হল। এনেতে ইন্দ্ৰই আকাশত এটি বৰ সুন্দৰ ৰমণীমূৰ্ত্তি দেখিলে। সেই ৰমণী মূৰ্ত্তি ব্ৰহ্মবিদ্যাৰূপিণী উমা হৈমৱতী। 'স তস্মিন্নেৱাকাশে স্ত্ৰিয়মাজগাম বহুশোভমানাম্ উমাং হৈমৱতীম্ তাং হোৱাচ—কিমেতদ্‌যক্ষমিতি।' ইন্দ্ৰই তেওঁক সুধিলে—'এই অদ্ভুত বস্তু কোন?' উমাই কলে—'আৰু কোন হব? যাৰ শক্তিত তোমালোক শক্তিমন্ত, যাৰ বিজয়ত তোমালোক জয়ী হৈছিলা, এওঁ সেই ব্ৰহ্ম।' 'সা ব্ৰহ্মেতি হোৱাচ। ব্ৰহ্মণো বা এতদ্‌বিজয়ে মহীয়ধ্বমিতি। ততো হৈৱ বিদাঞ্চকাৰ ব্ৰহ্মেতি।'

শুকদেৱে পৰীক্ষিতক আৰু কলে—

নৈতৎ সমাচৰেজ্জাতু মনসাপি হ্যনীশ্বৰঃ।
বিনশ্যত্যাচৰন্ মৌঢ্যাদ্ যথা ৰুদ্ৰোহব্ধিজং বিষম্॥

অৰ্থাৎ—ঈশ্বৰসকলে যিটো কৰ্ম্ম কৰে
মনেয়ো তাক নকৰি। —দশম
ঈশ্বৰ নুহি যিটো মূঢ়মতি।
ই কৰ্ম্ম কৰি যাইব অধোগতি॥
ৰুদ্ৰক দেখি বিষ খায় আনে।
সি জন যেন মৰি যায় প্ৰাণে॥ —কীৰ্ত্তন

চকুৰ আগতে দেখা কথা, যে কত ইন্দ্ৰিয়পৰতন্ত্ৰ জটাধাৰী লেংটি পিন্ধা ছাই সনা সন্ন্যাসীয়ে মহাদেৱৰ অনুকৰণ কৰি, কত বিলাসপৰায়ণ 'সন্ত্তই' শ্ৰীকৃষ্ণৰ বৃন্দাবনলীলাৰ অনুকৰণ কৰি নিজেও অধঃপাতলৈ যাব লাগিছে আৰু সেইবোৰক বিশ্বাস কৰোঁতা সৰল স্বভাৱৰ নৰ-নাৰীকো অধঃপাতলৈ নিব লাগিছে। এনে সৰ্ব্বনশীয়া বৈষ্ণৱ যাতে নোলায়, তাৰ নিমিত্তে শুকদেৱে এই কথা কৈছে।

শুকদেৱে আকৌ কৈছে—

ঈশ্বৰাণাং বচঃ সত্যং তথৈবাচৰিতং ক্বচিৎ।
তেষাং যৎ স্ববচোযুক্তং বুদ্ধিমাংস্তৎসমাচৰেৎ॥

অৰ্থাৎ—ঈশ্বৰসকলে যিটো কৰ্ম্ম কৰে
মনেয়ো তাক নকৰি।
তেসমে যি সব ধৰ্ম্ম বিহে বাক্যে
তাকেসে সবে আচৰি॥ —দশম

মহাশাস্ত্ৰ গীতাৰ তৃতীয় অধ্যায়ৰ ২১ শ্লোকত ভগৱন্তই কৈছে—

যদ্‌যদাচৰতি শ্ৰেষ্ঠস্তত্তদেৱেতৰো জনঃ।
স যৎ প্ৰমাণং কুৰুতে লোকস্তদনুবৰ্ত্ততে॥

অৰ্থাৎ জ্ঞানীৰ আচাৰ দেখি সাধাৰণ লোক চলে। আৰু তেওঁ যি প্ৰমাণ কৰে সাধাৰণ লোকে তাৰে অনুসৰণ কৰে।

এই বচন অনুসাৰে পাছে অজিতেন্দ্ৰিয় দেহাভিমানী লোকে অনাসক্ত বিষয়ত বিৰাগী তেজস্বী পুৰুষৰ লোকসমাজত নিন্দিত কাৰ্য্যৰ অনুকৰণ কৰিবলৈ যায়, সেইটো আশঙ্কা কৰি শুকদেৱে এই কথা কৈছে।

দেহত যাৰ নাহি অহঙ্কাৰ।
তাহাৰ কৰ্ম্মত নাহি বিচাৰ॥—কীৰ্ত্তন

এই নিমিত্তেই অবিৰক্তসকলৰ বেদবিহিত কৰ্ম্মলংঘনত দোষ বুলিছে, আৰু বিৰক্ত ভক্তৰ দোষ নাই বুলিছে।

অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ
জানিবাহা হৈবেক নিশ্চয়।
পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল
তাৰ একো নাহিকে নিৰ্ণয়॥—ঘোষা

শুকদেৱে পুনৰায় কৈছে—

কুশলাচৰিতেনৈষামিহ স্বাৰ্থো ন বিদ্যতে।
বিপৰ্য্যয়েন বানৰ্থো নিৰহঙ্কাৰিণাং প্ৰভো॥
কিমুতাখিলসত্ত্বানাং তিৰ্য্যঙ্মৰ্ত্ত্যদিবৌকসাম্।
ঈশিতুশ্চেশিতব্যানাং কুশলাকুশলান্বয়ঃ॥

অৰ্থাৎ—যিটো দেখে ব্ৰহ্মময় মহাজ্ঞানী
দেহে নাহি অহঙ্কাৰ।
একো দোষ গুণে নোছোৱে তাহাৰ
কৰ্ম্মত গুচে বিচাৰ॥ —দশম

সনাতন কৃষ্ণ পৰম পুৰুষ
যিটো জগত ঈশ।
ইটো পৰদাৰা-গমন পাতকে
তাঙ্ক কৰিবেক কিস? —দশম

ন মে পাৰ্থাস্তি কৰ্ত্তব্যং ত্ৰিষু লোকেষু কিঞ্চন।—গীতা

শ্ৰীকৃষ্ণই কৈছে 'হে পাৰ্থ! ত্ৰিলোকত মোৰ কৰ্ত্তব্য বুলি একো নাই।' অৰ্থাৎ মই লৌকিক হিচাপত যি কৰ্ত্তব্য বা অকৰ্ত্তব্য তাৰ বাহিৰ।

যি পৰমেশ্বৰ সকলোৰে নিয়ন্তা তেওঁৰ পাপ-পুণ্য একো থাকিব নোৱাৰে। যাৰ দেহত অহং বুদ্ধি নাই অৰ্থাৎ মই কৰ্ত্তা বুলি অভিমান নাই, তাৰ পাপ-পুণ্যও নাই। দেহ আৰু আত্মাৰ অনিষ্টজনক যি সিয়েই পাপ, সিয়েই লৌকিক হিচাপত নিন্দনীয়। এতেকে যাৰ দেহেৰে সৈতে সম্পৰ্ক নাই, সমাজৰ সৈতে সম্বন্ধ নাই, তাৰ পাপ-পুণ্যও নাই। যাৰ 'মই' নাই, 'মোৰ' নাই, 'পৰ' নাই, 'অপৰ' নাই, যাৰ 'নিজৰ' বুলি একোতে অভিলাষ নাই, 'পৰৰ' বুলিও একোতে বিতৃষ্ণা নাই, যাৰ মায়াৰ দ্বাৰাই জীৱ পাপ-পুণ্যত আবদ্ধ হৈছে, যি 'শুদ্ধম-পাপবিদ্ধম্', যি—

ঈশ্বৰ সৰ্বভূতানাং হৃদ্দেশেহৰ্জ্জুন তিষ্ঠতি।
ভ্ৰাময়ন্ সৰ্ব্বভূতানি যন্ত্ৰাৰূঢ়ানি মায়য়া ॥—গীতা

তাৰ পৰদাৰ সম্পৰ্কজনিত পাপ হবই নোৱাৰে, কাৰণ তেওঁৰ কোনো 'পৰ' নাই, আৰু পাপ-পুণ্যৰ সৈতে সম্বন্ধই নাই।

জগতৰ অন্তৰ্য্যামী নাৰায়ণ ॥
তান কোন পৰদাৰগমন ॥—কীৰ্ত্তন

শুকদেৱে—

যৎপাদপঙ্কজ-পৰাগ-নিষেৱ-তৃপ্তা
যোগ-প্ৰভাৱৱিধুতাখিলকৰ্ম্মবন্ধাঃ।
স্বৈৰং চৰন্তি মুনয়োঽপি ন নহ্যমানা-
স্তস্যেচ্ছয়াত্তৱপুষঃ কুত এৱ বন্ধঃ॥

অৰ্থাৎ—যাৰ পাদ-পদ্ম চিন্তি সাম্প্ৰতে।
ছিণ্ডে কৰ্ম্মবন্ধ হেলে ভকতে॥—কীৰ্ত্তন

অৰ্থাৎ যাৰ পদৰজ আস্বাদন কৰি পৰিতৃপ্ত হৈ মুনিসকলে সকলো বন্ধন ছেদন কৰি স্বেচ্ছাচাৰ কৰিও বদ্ধ নহয়, স্বেচ্ছায় 'ধৰিছা লীলা তনু হেন হৰি' (কীৰ্ত্তন)। এনে কৃষ্ণৰ আকৌ বন্ধন ক'ত? তেওঁ আপোন ইচ্ছা অনুসাৰেই জন্মগ্ৰহণ কৰে আৰু আপোন ইচ্ছা অনুসাৰেই কৰ্ম্ম কৰে। মানুহৰ ইচ্ছা কামনাৰ অধীন। ঈশ্বৰৰ ইচ্ছা স্বাধীন অৰ্থাৎ তেওঁৰ নিজৰ অধীন। বন্ধন কামাধীন ইচ্ছাৰহে। যাৰ শৰণ ললে বদ্ধজীৱৰো কৰ্ম্মবন্ধন গুচে, তেওঁৰ আকৌ নিজৰ কৰ্ম্মবন্ধন ক'ত? গীতাৰ চতুৰ্থ অধ্যায়ৰ ১৪শ শ্লোকত ভগৱন্তই নিজ মুখেই কৈছে—

ন মাং কৰ্ম্মাণি লিম্পন্তি ন মে কৰ্ম্মফলে স্পৃহা।
ইতি মাং যোঽভিজানাতি কৰ্ম্মভিৰ্ন স বধ্যতে॥

অৰ্থাৎ মোৰ কৰ্ম্মসকলে মোক লিপ্ত কৰিব নোৱাৰে। কৰ্ম্মফলত মোৰ স্পৃহা নাই, গতিকে মোৰ কৰ্ম্মবন্ধনো নাই। এইটো জানি যি মোক ভজনা কৰে, তাৰ কৰ্ম্মবন্ধ গুচে।

আচল কথা, ঈশ্বৰ-তত্ত্ব বুজিবলৈ হলে শুনিবতে বিশ্বাস লাগে। শাস্ত্ৰ অনুসাৰে শ্ৰীকৃষ্ণ স্বয়ং ভগৱন্ত ঈশ্বৰ বুলি বিশ্বাস কৰিলে, সকলো কথাৰ মীমাংসা হয়, সকলো সংশয় দূৰীভূত হয়। বিশ্বাস নাথাকিলে কোনেও কাকো এই লীলা বুজাবও নোৱাৰে, নিজেও বুজিব নোৱাৰে।

শুকদেৱে লৌকিক ব্যৱহাৰ অনুসাৰে শ্ৰীকৃষ্ণৰ পৰদাৰ-সম্বন্ধ স্বীকাৰ কৰিয়েই ওপৰৰ শ্লোকবোৰেৰে উত্তৰ দিছিল। এইবাৰ আচল তত্ত্বকথা পিছৰ শ্লোকেৰে কলে,—

গোপীনাং তৎপতীনাঞ্চ সৰ্বে ষামেৱ দেহিনাম্।
যোঽন্তশ্চৰতি সোঽধ্যক্ষ এষ ক্ৰীড়নদেহভাক্ ॥

অৰ্থাৎ যি গোপীসকলৰ, গোপীপতিসকলৰ আৰু দেহধাৰী জীৱমাত্ৰৰে অন্তৰত অন্তৰ্য্যামী হৈ আছে—'জগত অন্তৰ্য্যামী নাৰায়ণ' তেৱেঁই লীলাবিগ্ৰহধাৰী শ্ৰীকৃষ্ণ।

গোপী গোপালৰ আত্মা অন্তৰ্য্যামী
নাৰায়ণ সৰ্ব্বময়। —দশম
ভকতৰ পদে আপুনি হৰি।
ক্ৰীড়িলা ৰঙ্গে নৰদেহা ধৰি॥ —কীৰ্ত্তন

অনুগ্ৰহায় ভক্তানাং মানুষং দেহমাশ্ৰিতঃ।

বেদত কৈছে—

যো দেৱোঽগ্নৌ যো অপ্সু যো বিশ্বভুৱনমাৱিৱেশ।
য ওষধিষু যো ৱনস্পতিষু তস্মৈ দেৱায় নমো নমঃ।

অৰ্থাৎ যি দেৱতা অগ্নিত, যি জলত, যি ওষধিত, যি বনস্পতিত আৰু যি বিশ্বভুৱনত প্ৰবিষ্ট হৈ আছে, সেই দেৱতাক বাৰে বাৰে নমস্কাৰ কৰোঁ।

গীতাত শ্ৰীকৃষ্ণই অৰ্জ্জুনক কৈছে—

পুণ্যো গন্ধঃ পৃথিব্যাঞ্চ তেজশ্চাস্মি ৱিভাৱসৌ।
জীৱনং সৰ্ব ভূতেষু তপশ্চাস্মি তপস্বিষু ॥

অৰ্থাৎ অগ্নিত মই তেজ, পৃথিৱীত পুণ্য ঘ্ৰাণ, তপস্বীৰ তপোবল, আৰু সৰ্ব্বভূতৰ জীৱন।

ৰসোঽহমপ্সু কৌন্তেয় প্ৰভাস্মি শশিসূৰ্য্যয়োঃ ॥
অৰ্থাৎ—জলত ময়েই ৰস, সূৰ্য্য চন্দ্ৰত ময়েই প্ৰভা।
বীজং মাং সৰ্ব ভূতানাং বিদ্ধি পাৰ্থ সনাতনম্।
(গীতা)

অৰ্থাৎ—ময়েই সৰ্ব্বভূতৰ সনাতন বীজ।

অহং বৈশ্বানৰো ভূত্বা প্ৰাণিনাং দেহমাশ্ৰিতঃ।
(গীতা)

অৰ্থাৎ—ময়েই বৈশ্বানৰৰূপে প্ৰাণীৰ দেহত অৱস্থিত।

ক্ষেত্ৰজ্ঞঞ্চাপি মাং বিদ্ধি সৰ্ব্ব ক্ষেত্ৰেষু ভাৰত।
(গীতা)

অৰ্থাৎ-সকলো ক্ষেত্ৰতে মোক ক্ষেত্ৰজ্ঞৰূপে জানিবা।

মুঠতে—মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয়।
ময়ি সৰ্ব্ব মিদং প্ৰোতং সূত্ৰে মণিগণা ইৱ। (গীতা)

অৰ্থাৎ মোৰ বাহিৰে একো নাই। সূতাত মণিবোৰ যেনেকৈ গথা থাকে সেইদৰে মই সকলোতে ওতপ্ৰোত হৈ আছো।

ময়া ততমিদং সৰ্ব্বং জগদব্যক্তমূৰ্ত্তিনা। (গীতা)

শ্ৰীমদ্ভাগৱতত আছে—

কৃষ্ণমেনমবেহি ত্বমাত্মানমখিলাত্মনাম্।

অৰ্থাৎ শ্ৰীকৃষ্ণক সমস্ত জীৱৰ আত্মা বুলি জানিবা। তেনেহলে গোপীৰ লগত কৃষ্ণৰ বিহাৰ মানেই কৃষ্ণৰে লগতে কৃষ্ণৰ বিহাৰ।

আপনি আপন আলাপন।
আপনি পাতিয়া কাণ,
শুনে আপনাৰ গান।

তেওঁ আপোনাৰে লগতে আপুনি ক্ৰীড়া কৰিছিল আৰু কৰি আছে। তেওঁৰ কোনো পৰ নাই, সেইদেখি পৰদাৰও নাই। প্ৰেম আৰু আনন্দৰ ক্ৰীড়াতে জগত তিষ্ঠি আছে। এই প্ৰেম আৰু আনন্দৰ নিত্যলীলা বুজিব পাৰিলেই জীৱৰ সংসাৰৰপৰা নিবৃত্তি। এই বাবেই শ্ৰীধৰ স্বামীয়ে ৰাসলীলাৰ প্ৰথমতেই কৈছে—

ৰাসক্ৰীড়াবিড়ম্বনং। কামজয়খ্যাপনায়েতি তত্ত্বম্। কিঞ্চ শৃঙ্গাৰকথাপদেশেন বিশেষতো নিবৃত্তিপৰেয়ং পঞ্চাধ্যায়ীতি ব্যক্তীবিষ্যামঃ।

ৰাসলীলাত শৃঙ্গাৰ-কথা ছল মাথোন। বাস্তৱিকতে ই নিবৃত্তিপৰ মুক্তিৰ দ্বাৰ স্বৰূপ।

গোপীসকলক পৰদাৰ কৰি লীলা কৰাৰ মানে, এইটো দেখুৱাবলৈ যে সৰ্ব্বত্যাগ নকৰিলে কৃষ্ণক পোৱা নাযায়। গোপীসকলে সৰ্ব্বত্যাগ কৰিছিল, আন কি স্ত্ৰীয়ে পৰিত্যাগ কৰিব নোৱাৰা আৰু নোপোৱা নিজ পতিক পৰ্য্যন্ত পৰিত্যাগ কৰিছিল আৰু কৰিহে ভগৱন্তক পাইছিল—এইটো মানুহক ভালকৈ বুজাই দিবলৈ। যদি ভগৱন্তই গোপীসকলক নিজ পৰিণীতা পত্নী কৰি লীলা কৰিলেহেঁতেন, তেন্তে সাধাৰণ মানুহক ঈশ্বৰ লাভৰ নিমিত্তে যে সৰ্ব্বত্যাগ কৰিব লাগিব এইটো শিক্ষা দিয়া নহলহেঁতেন, কাৰণ লৌকিক আৰু ব্যৱহাৰিক শাস্ত্ৰমতে ত্যাগ কৰিব নোপোৱা নিজ পতি বাকী থাকি গলহেঁতেন। বাস্তৱিকতে ভগৱন্ত সৰ্ব্বময়—

মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয়।—গীতা

তেওঁ লীলা কৰিব লাগিলে নিজকে পৰ যেন কৰি লীলা কৰিবই লাগিব। ভগৱন্তই শ্ৰুতিত সেই দেখি কৈছে—

তদৈক্ষত বহু স্যাং প্ৰজায়েয়। —ছান্দোগ্য উপনিষদ

অৰ্থাৎ তেওঁৰ ইচ্ছা হল যে এক মই বহু হম।

য একোঽৱৰ্ণো বহুধা শক্তিযোগাৎ।
ৱৰ্ণান্ অনেকান্ নিহিতাৰ্থো দধাতি।—শ্বেতাশ্বেতৰ উপনিষদ

অৰ্থাৎ যি পৰমেশ্বৰ অদ্বিতীয় অৱৰ্ণ, তেৱেঁই বিবিধ শক্তিযোগেৰে স্বাৰ্থ নিৰপেক্ষ হৈ নানা বিভাৱ ধাৰণ কৰে।

ঈশ্বৰৰ অংশ জীৱই অবিদ্যাত মুগ্ধ হৈ তেওঁক পাহৰি সংসাৰত মগ্ন হৈ আছে। কিন্তু লীলাপ্ৰিয় আনন্দময় ভগৱন্তই কাকো নাপাহৰে। তেওঁ খেমালিৰ নিমিত্তে তেওঁৰ অংশ জীৱক পৰ কৰি লৈযো বংশীৰ সুমধুৰ ধ্বনিৰে, সুস্বৰ সঙ্গীতেৰে সকলোকে মাতিব লাগিছে—'আহ মোৰ ওচৰলৈ। সকলো পৰিত্যাগ কৰি মোৰ ওচৰলৈ লৰি আহ। যি সেই আহ্বান শুনিবলৈ পায়, সি সকলো বিনাশী পাথিৱ সম্বল পৰিত্যাগ কৰি তেওঁৰ ওচৰলৈ লৰি যায়; যি অবিদ্যা প্ৰণোদিত হৈ সংসাৰত সৰ্ব্বোতোভাৱে মজি অসদাচাৰ অৰ্থাৎ চিন্তা, পান আৰু কল্মষেৰে নিজৰ কাণত খিলা দি সেই বংশীধ্বনি নুশুনে বা শুনিব নোৱৰা কৰা হয়। সি ভগৱন্তৰ কাষলৈ যাব নোৱাৰে। যি সংসাৰত থাকিও, গৃহত থাকিও, পুত্ৰ-দাৰা-পৰিবাৰেৰে পৰিবৃত থাকিও, জীৱনৰ সাংসাৰিক কৰ্ত্তব্য যথোচিতৰূপে পালন কৰিও, পৱিত্ৰ মন শুদ্ধ চিন্তাৰে বংশীৰ আহ্বান শুনি অন্তৰত পৰমানন্দ পৰমাত্মীয় পৰম ব্ৰহ্ম শ্ৰীকৃষ্ণৰে সৈতে সততে বিহাৰ কৰে, সি এই নশ্বৰ দেহ পৰিত্যাগ কৰি প্ৰাণবন্ধু কৃষ্ণৰ সামীপ্য লাভ কৰি চিৰানন্দ চিৰশান্তি লাভ কৰে। এতেকে হে মায়ামুগ্ধ মানৱ! কাতৰ কণ্ঠেৰে প্ৰাৰ্থনা কৰা—

হে প্ৰাণবন্ধু কৃষ্ণ কৃপাৰ ঠাকুৰ।
অণু এক কৰা দয়া মায়া হৌক দূৰ॥—ঘোষা

শ্ৰীকৃষ্ণই নিখিল বিশ্ব লৈ ৰাসক্ৰীড়াকে কৰিব লাগিছে। ইয়াৰ বাহিৰে তেওঁৰ আন কাৰ্য্যই নাই। তেওঁ আপোনাকে পৰ কৰি লৈ ক্ৰীড়া কৰিব লাগিছে; আমি তেওঁৰ মায়াত মুগ্ধ হৈ তেওঁৰ নিজৰ হৈও অজ্ঞানেৰে সৈতে প্ৰীতি কৰি তেওঁক পৰ ভাবি পৰ হৈ পৰিছোঁ। আমি আমাৰ সৰ্ব্বসাধাৰণ খেলতেই দেখোঁ, যে আমি দুই চাৰিজন আত্মীয় বন্ধুৰেই সৈতে যেতিয়া কোনো খেল খেলিবলৈ যাওঁ তেতিয়া তেওঁলোকক পৰস্পৰৰ প্ৰতিদ্বন্দ্বী বা বিপক্ষ কৰি লওঁ, নহলে খেল নহয়, খেলৰ আনন্দ পোৱা নাযায়। কিন্তু সেই বিপক্ষতা, সেই প্ৰতিপ্ৰতিদ্বন্দ্বিতা খেলৰ সময়ডোখৰৰ নিমিত্তেহে, খেলৰ শেষ হলেই আমি আগৰ যেনে আত্মীয় বন্ধু আছিলোঁ সেয়েই আকৌ হওঁ। কিন্তু অনেক খেলত এনে মত্ত, এনে আত্মবিস্মৃত হয় যে দ্বন্দ্ব বিবাদ কৰি তেওঁলোকৰ ভিতৰৰ পূৰ্ব্বৰ বন্ধুত্বৰ সম্পৰ্কতো ব্যাঘাত জন্মায়। এতেকে হে ভাই-ভণীসকল! ঈশ্বৰৰ ইচ্ছাত যদিও আমি খেলত বহিৰঙ্গীয়া হৈছোঁহক, চাবা যেন এই খন্তেকীয়া খেলকে সৰ্ব্বস্ব কৰি, তাতে মত্ত হৈ চিৰবন্ধু চিৰনিৰ্ভৰৰ পৰা বিমুখ নহওঁ।

চিৰবন্ধু চিৰনিৰ্ভৰ চিৰশান্তি
  তুমি হে প্ৰভু।
তুমি চিৰমঙ্গল সখা হে, (তোমাৰ জগতে)
  চিৰসঙ্গী চিৰজীৱনে।
চিৰপ্ৰীতি সুধানিৰ্ঝৰ তুমি হে হৃদয়েশ!
  তব জয়-সঙ্গীত ধ্বনিছে,
    (তোমাৰ জগতে)
  চিৰদিবা চিৰৰজনী।

—ৰবীন্দ্ৰনাথ

চাৰি

শুকদেৱে কৈছে—

অনুগ্ৰহায় ভক্তানাং মানুষং দেহমাশ্ৰিতঃ।
ভজতে তাদৃশীঃ ক্ৰীড়া যাঃ শ্ৰুত্বা তৎপৰো ভৱেৎ॥

অৰ্থাৎ ভগৱন্তই ভক্তসকলক অনুগ্ৰহ কৰিবৰ নিমিত্তে স্বয়ং নৰদেহ ধাৰণ কৰি এনেকুৱা লীলা কৰে, যাক শুনি মানুহ ঈশ্বৰপৰায়ণ হয়।

যোৱাত মহাপুৰুষে লেখিছে—

পৰম দুৰ্ব্বোধ আত্মতত্ত্ব তাৰ জ্ঞান অৰ্থে হৰি যত
  লীলা অৱতাৰ ধৰা তুমি কৃপাময়।
তাহাৰ চৰিত্ৰ সুধাসিন্ধু তাত ক্ৰীড়া কৰি দীনবন্ধু
  চাৰি পুৰুষাৰ্থ তৃণৰ সম কৰয়॥

গীতাত ভগৱন্তই কৈছে—

যেঽপ্যন্যদেৱতা ভক্তা যজন্তে শ্ৰদ্ধয়াম্বিতাঃ।
তেঽপি মামেৱ কৌন্তেয় যজন্ত্যৱিধিপূৰ্ব্বকম্॥

অৰ্থাৎ যি অন্য দেৱতাৰ উপাসনা কৰে, সিও অবিধিপূৰ্ব্বক অৰ্থাৎ আওবাটে মোৰেই উপাসনা কৰে, কাৰণ মোৰ বাহিৰে দেৱতা নাই।

যিসকলে ইন্দ্ৰ, চন্দ্ৰ, বায়ু, বৰুণ, সূৰ্য্য, গণেশ, লক্ষ্মী সৰস্বতীৰ উপাসনা কৰে, তেওঁলোকেও ভগৱন্তৰ উপাসনা কৰে, কাৰণ তেওঁলোক ভগৱন্তৰ ক্ষুদ্ৰ ক্ষুদ্ৰ অংশ। ভগৱন্তৰ বাহিৰে তেওঁলোকৰ অস্তিত্ব নাই। ক্ষুদ্ৰাংশই ক্ষুদ্ৰ ফলকহে দিব পাৰে; যদিও সেই ক্ষুদ্ৰ ফল ক্ষুদ্ৰাংশৰ দ্বাৰাই ভগৱন্তৰেই দান। যি যিটো বিচাৰে, ভগৱন্তই কল্পতৰুৰূপে তেওঁক তাকেই দিয়ে।

কল্পতৰু বৃক্ষ যেন সবাত সমান।
মাগন্তা জনক মাত্ৰ দেয় ফলদান।

সকলো যাচ্ঞা আনন্দলিপ্সা প্ৰণোদিত। কিন্তু প্ৰকৃত আনন্দ কি মুগ্ধ জীৱই নাজানে। প্ৰকৃত আনন্দ হৈছে স্বৰূপানন্দ ভগৱন্ত পৰমেশ্বৰ। আনন্দলিপ্সা আৰু পৰমেশ্বৰ লিপ্সা একে কথা। মানুহে ভ্ৰমত পৰি, অবিদ্যাৰ কুহকত, প্ৰকৃত নিত্যানন্দৰ ঠাইত বিনশ্বৰ অনিত্য সংসাৰনন্দকে বিচাৰি মৰে, কিন্তু নশ্বৰ আৰু নকুকল সংসাৰানন্দই জীৱক প্ৰকৃত শান্তি, প্ৰকৃত আনন্দ দিব নোৱাৰে। সেই বাবে অজ্ঞানান্ধ মনুষ্যক আচল বাট দেখুৱাবলৈ, দুৰ্ব্বোধ আত্মতত্ত্ব জ্ঞান অৰ্থাৎ পৰমাত্মা কি, তাৰ স্বৰূপ কি, আত্মাৰ সৈতে সেই পৰমাত্মাৰ কি সম্বন্ধ আৰু কেনেকৈ সেই পৰমাত্মাক জানিব পাৰি, ইত্যাদি বিষয় জ্ঞান মানুহক বুজাবৰ নিমিত্তে ঈশ্বৰে লীলাৱতাৰ ধাৰণ কৰে যাতে মানুহ ঈশ্বৰপৰায়ণ হৈ পৰমানন্দ লাভ কৰিব পৰা হয়। ভগৱন্তই প্ৰকৃত মনুষ্যৰ নিচিনাকৈ লীলা কৰিছিল এই বাবে যে তেওঁক মনুষ্যবোধ কৰিও তেওঁৰ লীলাৰ আলোচনা কৰি, তেওঁৰ গুণশীল শ্ৰৱণকীৰ্ত্তন কৰিলে, মানুহে লাহে লাহে ঈশ্বৰৰ ফালে আকৃষ্ট হৈ ঈশ্বৰক জানিব আৰু চিৰানন্দ চিৰশান্তিত পাব পাৰিব। যি যি ৰসত অনুৰক্ত, সি ঈশ্বৰৰ সেই ৰসৰ লীলা শ্ৰৱণ-কীৰ্ত্তন কৰি অন্তত ঈশ্বৰক পাব। যি যি ৰসৰ ভিতৰেদি সৈ ঈশ্বৰত অনুৰাগী হব, সি সেই ৰসৰ সহায়ত তেওঁক পাব। উদ্ধৱ বিদুৰে দাস্য ৰসৰ, অৰ্জ্জুনে সখ্য ৰসৰ, কংসই ৰৌদ্ৰ আৰু ভয়ানক ৰসৰ, যশোদাই বাৎসল্য ৰসৰ, গোপীসকলে শৃঙ্গাৰ ৰসৰ ভিতৰেদি তেওঁত একান্ত অনুৰক্ত হৈ তেওঁক পাইছিল। যি শৃঙ্গাৰ ৰসত অনুৰক্ত, তাৰ নিমিত্তে প্ৰাকৃত আচ্ছাদনেৰে আচ্ছাদিত এই ৰাসলীলা—

ইটো ৰাসক্ৰীড়া কেলি নামে কামজয় ।
কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময় ॥
আৰু শুনে ভণে যিটো জনে অবিশ্ৰাম ।
বাঢ়িবে ভকতি অতি জিনিবেক কাম ॥
—শঙ্কৰদেৱ

শৃঙ্গাৰ ৰসে যাৰ আছে ৰতি ।
আকে শুনি হৌক নিৰ্ম্মল মতি ॥
ভকতৰ পদে আপুনি হৰি ।
ক্ৰীড়িলা ৰঙ্গে নৰদেহা ধৰি ॥—কীৰ্ত্তন

ইটো ৰাসক্ৰীড়া কথা কৃষ্ণৰ ।
একান্ত চিত্তে শুনে যিটো নৰ ॥
কৃষ্ণত ভকতি বাঢ়িবে তাৰ ।
কাম-সাগৰ সুখে হৈব পাৰ ॥
ইটো কামজয় কৃষ্ণৰ কথা ।
শুনা নৰদেহ নকৰা বৃথা ॥—শঙ্কৰদেৱ

৮ যি ৰাসলীলাৰ পৰম নিগূঢ় তত্ত্ব বুজি তাক শ্ৰৱণ-কীৰ্ত্তন কৰে, সি সহজানন্দ ভগৱন্তৰ স্বৰূপানন্দ লাভ কৰিবই । কিন্তু যি শৃঙ্গাৰ ৰসকে পৰমানন্দ জ্ঞান কৰে সিও শৃঙ্গাৰ ৰসৰ লোভত ৰাসলীলা শ্ৰৱণ-কীৰ্ত্তন কৰি লাহে লাহে পৰম ৰসৰ আস্বাদ লাভ কৰি ঈশ্বৰক পায় । এই অভিপ্ৰায়ে ভগৱন্তক জানি চিন্তা কৰি তেওঁৰ গুণ-নাম শ্ৰৱণ-কীৰ্ত্তন কৰিলেতো ভৱ-সংসাৰ পাৰ হোৱা যায়েই, কিন্তু তেওঁক নাজানি বা নাভাবি তেওঁৰ নাম ললেও ভৱ-বন্ধন কাটে ।

দ্বেষ কৰি শিশুপালে লভিল মুকুতি ।
বুদ্ধিক নাপেক্ষে মহৌষধিৰ শকতি ॥
বিষ বুলি অমৃতক পিলে যিটো নৰ ।
নুহিবে কি জানা সিটো অজৰ অমৰ ॥
যেন তেন মতে মাত্ৰ স্মৰোক সততে ।
এতেকে মুকুতি পাৱে কহিলো বেকতে ॥
—কীৰ্ত্তন

বেদান্তত আছে—

দীপপ্ৰভামণিভ্ৰান্তিৰ্বিসংৱাদিভ্ৰমঃ স্মৃতঃ ।
মণিপ্ৰভামণিভ্ৰান্তিঃ সংৱাদিভ্ৰম উচ্যতে ॥
ন লভ্যতে মণিৰ্দীপপ্ৰভাং প্ৰত্যভিধাৱতা ।
প্ৰভায়াং ধাৱতাৱশ্যং লভ্যেতৈৱ মণিৰ্মণেঃ ॥
—পঞ্চদশী

অৰ্থাৎ ভ্ৰম দুবিধ । এবিধক সংবাদী বোলে, আনবিধক বিসংবাদী বোলে । দুৰৰপৰা চাকিৰ পোহৰ দেখি তাতে মণিজ্ঞান হলে তাক বিসংবাদী ভ্ৰম বোলে । আৰু দূৰৰ পৰা মণিৰ প্ৰভা দেখি তাকে মণিজ্ঞান কৰিলে তাক সংবাদী ভ্ৰম বোলে । কিন্তু দুয়োটা ভ্ৰম নিশ্চয় । যি মণিজ্ঞান পাবলৈ চাকিৰ পোহৰৰ ফালে লৰ ধৰে, সি মণি নাপায় কিন্তু যি মণিৰ প্ৰভাকে মণিজ্ঞান কৰি সেইফালে লৰে, সি অৱশ্যে মণি পাবই । পৃথিৱীৰ মানুহে নিত্যানন্দ লাভ কৰিবৰ নিমিত্তে বিষয়-সুখৰ ফালে লৰি বিসংবাদী ভ্ৰম কৰিছে, কিন্তু যি পৰমানন্দৰ লোভত ভগৱন্তৰ নৰোচিত প্ৰাকৃত লীলাত তাক বিচাৰিছে, যি শৃঙ্গাৰ ৰসৰ লোভত পাৰ্থিৱ শৃঙ্গাৰ ৰসৰ বাহিৰাবৰণেৰে আবৃত লীলাৰ ফালে লৰিছে, সি মণিপ্ৰভাত মণি বিচৰাৰ দৰে সংবাদী ভ্ৰম কৰিছে । এই সংবাদী ভ্ৰমৰ শেষফলও ঈশ্বৰলাভ । সি এই কৃষ্ণৰ ৰাসলীলাক প্ৰাকৃত কাৰ্য্য বুলি তাৰ ফালে আকৃষ্ট হৈ তাৰ আলোচনা কৰি শেষত ঈশ্বৰৰ কৃপাত পৰমাত্মা পৰম বস্তুক লাভ কৰিব পাৰিব । বেদান্তত কৈছে—

জ্বৰেণাপ্তঃ সন্নিপাতং ভ্ৰান্ত্যা নাৰায়ণং ৱদন্ ।
মৃতঃ স্বৰ্গমৱাপ্নোতি স সংৱাদী ভ্ৰমো মতঃ ॥
—পঞ্চদশী

অৰ্থাৎ সন্নিপাত জ্বৰৰ প্ৰলাপতো যদি মানুহে নাৰায়ণ নাম উচ্চাৰণ কৰে, সি মৰিলে স্বৰ্গলৈ যাব; কাৰণ সেইটো তাৰ সংবাদী ভ্ৰম ।

অজামিলে এই সংবাদী ভ্ৰম কৰি নাৰায়ণ বুলি পুতেকক মাতি এই বাবে উদ্ধাৰ পাইছিল ।

পুত্ৰ নাম ধৰি, উপহাস্য কৰি
হেলাতো যি বোলে হৰি ।
তাহাৰো সমস্ত পাতক দহয়
জানা আক নিষ্ঠ কৰি ॥
হৰি নাম সৰ্ব্ব পাতক দহয়
জ্ঞানে বা অজ্ঞানে বোলে ।
যেন হুতাশনে শুকান কাষ্ঠক
অতি অপ্ৰয়াসে পোলে ॥
প্ৰমাদত থাকি যিটো হৰি বোলে
সিও সব দুঃখ তৰে ।
যেন মহৌষধি নাজানি ভুঞ্জিলে
তাৰো গৰ্ভ-ৰোগ হৰে । —কীৰ্ত্তন

৯ ঈশ্বৰ ভগৱন্তৰ সকলো লীলাই ছলনাৰে আবৃত । তেওঁ পৃথিৱীত মনুষ্য আকাৰ ধৰি জীৱক কৃপা কৰিবৰ নিমিত্তে নৰোচিত লীলা কৰি কৌশলেৰে নিজৰ স্বৰূপ প্ৰকাশ কৰে । এই বাবেই শুকদেৱে কৈছে—

অনুগ্ৰহায় ভক্তানাং মানুষং দেহমাশ্ৰিতঃ
ভজতে তাদৃশীঃ ক্ৰীড়া যাঃ শ্ৰুত্বা তৎপৰো ভৱেৎ ॥

বেদত কৈছে—

তমীশানং ৱৰদং দেৱমীড্যং নিচায্যেমাং শান্তিমত্যন্ত-মেতি ।
—শ্বেতাশ্বেতৰ উপনিষদ

অৰ্থাৎ তেওঁ ঈশান বৰদ ঈড্য (পূজ্য)। তেওঁক জানিলে জীৱই অত্যন্ত শান্তি পায়।

যমেবৈষ বৃণুতে তেন লভ্যস্তস্যৈষ আত্মা বিবৃণুতে
তনুং স্বাম্। কঠোপনিষদ

অৰ্থাৎ তেওঁ যাক বৰণ কৰে, সিয়েই তেওঁক পায়। তাৰ আগত পৰমাত্মাই নিজ তনু বিবৃত কৰে।

বেদে কৈছে, তেওঁক নাজানিলে মুক্তিৰ উপায় নাই। অথচ বেদেই কৈছে তেওঁ বাক্যমনৰ অগোচৰ। তেনেহলে জীৱই কেনেকৈ মুক্তি পাব? তেওঁ দয়া কৰি সৰু হৈ আমাৰ ক্ষুদ্ৰ হৃদয় ক্ষুদ্ৰ বুদ্ধিৰ গোচৰ নহলে আমাৰ উপায় কি? তেওঁ দয়াময়, ভক্তক অনুগ্ৰহকাৰী; সেইদেখি তেওঁ 'অনুগ্ৰহায় ভক্তানাং মানুষং দেহমাশ্ৰিত'; সেইদেখি তেওঁৰ কৃষ্ণাৱতাৰ কৃষ্ণলীলা। সেইদেখি তেওঁ ভক্ত গোপীক বৰণ কৰিছিল আৰু সেইদেখি গোপীসকলে তেওঁক পালে। সেইদেখি তেওঁ নিজে তনু ধৰি বৃন্দাবনত প্ৰকাশিত।

তস্যৈষ আত্মা বিবৃণুতে তনুং স্বাম্ (ব্ৰহ্ম বা
পৰমেশ্বৰ অজ্ঞেয়।)
ন সংদৃশে তিষ্ঠতি ৰূপমস্য ন চক্ষুষা পশ্যতি
কশ্চনৈনম্। —কঠোপনিষদ

অৰ্থাৎ তেওঁৰ ৰূপ দৃষ্টিৰ গোচৰ নহয়; চকুৱে কোনেও তেওঁক দেখিবলৈ নাপায়। 'নৈনদ্ দেৱা আপ্নুবন্ পূৰ্ব্বমৰ্ষৎ' (ঈশোপনিষদ) অৰ্থাৎ ইন্দ্ৰিয়-বোৰে তেওঁৰ লগ ধৰিব নোৱাৰে। তেওঁ সদায় সেইবোৰৰ পূৰ্ব্বগামী। 'ন চক্ষুষা গৃহ্যতে নাপি বাচা নান্যৈৰ্দেৱৈস্তপসা কৰ্ম্মণা বা।' (মুণ্ডকোপনিষদ) অৰ্থাৎ তেওঁ চকুৰ গ্ৰাহ্য নহয়, বাক্যৰ গ্ৰাহ্য নহয়, ইন্দ্ৰিয়ৰ গ্ৰাহ্য নহয়, তপস্যা বা কৰ্ম্মৰ গ্ৰাহ্য নহয়। 'নৈৱ বাচা ন মনসা প্ৰাপ্তুং শক্যো ন চক্ষুষা।' (কঠ) অৰ্থাৎ বাক্য-মন, চকু একোৱে তেওঁ প্ৰাপ্য নহয়। পৰমেশ্বৰ যদি এনেকুৱা, তেন্তে জীৱই তেওঁক কেনেকৈ জানিব? অথচ তেওঁক নাজানিলে জীৱৰ তৰিবৰ আন একো উপায় নাই। তেন্তে এই দেখি দয়াময় ঈশ্বৰ অমূৰ্ত্ত অতীন্দ্ৰিয় হৈও ভক্তক অনুগ্ৰহ কৰিবৰ নিমিত্তে, জীৱক তৰণৰ উপায় দিবৰ নিমিত্তে,

কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ।
যিটো ব্ৰহ্ম নোহে তৰ্ক-গোচৰ।
নপাৰে বচনে মনে ওচৰ॥
নাহি উতপতি নাহি মৰণ।....
ব্ৰহ্মায়ো নজানে যাৰ মহিমা।
চাৰি বেদে কহি নপাৰে সীমা॥....

সুনন্দ আদি যত গোপীগণ।
চিন্তিও নেদেখে যাৰ চৰণ॥
হেন পৰব্ৰহ্ম যশোদা-সুত।
ভৈলন্ত কিনো অতি অদভুত॥ (কীৰ্ত্তন)

এয়ে তেওঁৰ অনুগ্ৰহ। তেওঁ নিৰ্গুণ, অনন্ত, ভূমা, বাক্য মনৰ অতীত। এনেজনক আমি কেনেকৈ জানিম, কেনেকৈ পাম? দয়াময় তেওঁ সেইদেখি নিজক ক্ষুদ্ৰ কৰি, মনৰ ব্ৰজত আমাৰ ক্ষুদ্ৰ বুদ্ধিয়ে ধৰিব পৰা হল। তেওঁ পৰিমিত হৈ আনন্দঘন মূৰ্ত্তিৰে আবিৰ্ভাৱ হল, যাতে তেওঁৰ ভক্ত গোপ-গোপীয়ে তেওঁক আলিঙ্গন কৰি তৃপ্তি লভিব পাৰে। হে করুণাময়! হে ভূমা! হে অনন্ত! তুমি ভক্তৰ কাতৰ আহ্বানাত দয়াৰ্দ্ৰ হৈ মানুষী তনু স্বীকাৰ কৰি ভক্তক কৃপা কৰিলা।

সদায়ে প্ৰণামো তৱ চৰণ। (কীৰ্ত্তন)

শুকদেৱে পৰীক্ষিতক আৰু কলে—

নাসূয়ন্ খলু কৃষ্ণায় মোহিতাস্তস্য মায়য়া।
মন্যমানাঃ স্বপাৰ্শ্বস্থান স্বান্ স্বান্ দাৰান্
ব্ৰজৌকসঃ॥

অৰ্থাৎ—মোহিলা গোপক কৃষ্ণৰ মায়া।
কাষতে আছে দেখি নিজ জায়া॥
নকৰে অসূয়া কৃষ্ণক কেৱ।
জগত ঈশ হেন কৃষ্ণ দেৱ॥ —কীৰ্ত্তন

যশোদায়ো তৈত পুত্ৰক দেখন্ত
শয্যাত আছয় শুতি।—দশম

এই বাৰ আচল তত্ত্ব কথা ওলাল। ঈশ্বৰৰ অচিন্ত্য শক্তিৰ বিষয়ে কথা প্ৰকাশ হৈ পৰিল। ৰাস পঞ্চাধ্যায়ৰ শুৰিতে এইদেখি শুকদেৱে কৈছিল—'ৰন্তুং মনশ্চক্ৰে যোগমায়ামুপাশ্ৰিতঃ।' অৰ্থাৎ যোগমায়া নামেৰে তেওঁৰ অচিন্ত্য শক্তিক তেওঁ আশ্ৰয় কৰি বিহাৰ কৰিবলৈ ইচ্ছা কৰিলে। যিসকল গোপীক লৈ তেওঁ বৃন্দাবনত ৰাসলীলা কৰিলে, সেইসকল গোপী তেওঁলোকৰ পতি পুত্ৰাদিৰে সৈতে সেই সময়ত ঘৰতে আছিল। যশোদাইও দেখিছিল কৃষ্ণ তেওঁৰ কাষতে শুই আছে। স্পষ্ট দেখা গৈছে যে এই ৰাসলীলা জীৱাত্মাৰে সৈতে পৰমাত্মা শ্ৰীকৃষ্ণৰ লীলা। জীৱাত্মাৰে সৈতে পৰমাত্মা পৰম ব্ৰহ্মৰ যি নিত্য লীলা অনাদি অনন্তকাল চলি আহিছে, সেই লীলাৰ আভাস মানুহক বুজাব নিমিত্তে মায়াৰ দ্বাৰাই মনুষ্য দেহ ধৰি পৰব্ৰহ্ম কৃষ্ণৰ বৃন্দাবনত গোপীসকলৰে সৈতে এই ৰাসলীলা। গোপীসকলৰ পাৰ্থিৱ দেহ পাৰ্থিৱ সন্তানযুক্ত পাৰ্থিৱ পতিৰ কাষতে পৰি থল। পাৰ্থিৱ পতিয়ে সেই পাৰ্থিৱ শৰীৰবোৰ পত্নীক কাষতে পাই নিশ্চিন্ত। তেওঁলোকৰ মনত অসূয়া জন্মা নাই, জন্মিবৰ কাৰণো নাই। কিন্তু গোপীসকলৰ জীৱাত্মা, মন, বুদ্ধি, চিত্ত, চিন্ময়

দেহ, অনাবৃত পৰম ব্ৰহ্ম পতিৰ পতি শ্ৰীকৃষ্ণৰ কাষত বৃন্দাবনত। মানুহে সামাজিক সাংসাৰিক বিধি ৰক্ষা কৰিও সমাজ আৰু সাংসাৰিক সম্বন্ধবোৰত গণ্ডগোল নলগায়ো (যদিও সেইবোৰ ক্ষণস্থায়ী আৰু অকিঞ্চিৎকৰ) যে ঈশ্বৰৰ সাধনা কৰি আত্মাৰাম পৰমাত্মা পৰম ব্ৰহ্মৰে সৈতে ৰমণ কৰি কৰি চিৰানন্দ চিৰশান্তি লাভ ক.ৰিব পাৰে, সেই ৰাসলীলাত শ্ৰীকৃষ্ণই তাকেহে অভিনয় কৰি বিশদ ব্যাখ্যা কৰি দেখুৱালে।

গোপীসকলে বংশীধ্বনি শুনি পতি-পুত্ৰাদি সাংসাৰিক বন্ধন এৰি শ্ৰীকৃষ্ণৰ কাষলৈ আহোঁতে প্ৰথমতে সেই পাথিৱ সম্বন্ধৰ বন্ধনবোৰৰ পৰা মহা প্ৰতিবন্ধক পাইছিল, কিন্তু সেই প্ৰতিবন্ধকবোৰ নামানি ঈশ্বৰৰ ওচৰলৈ আহিলত, সেই সম্বন্ধৰ বন্ধনবোৰ শান্ত হল, কাৰণ কাৰ্য্যত সেই পতিনামৰ পাথিৱ সম্বন্ধবোৰে ঈশ্বৰ কৃষ্ণৰ ইচ্ছাত পাথিৱ সম্বন্ধেৰে নিজৰ হোৱা পাথিৱ দেহী পত্নীক কাষতে পাই আছিল। ভক্ত সাধকে ঈশ্বৰ লাভৰ নিমিত্তে যে সকলো সাংসাৰিক কৰ্তব্য কাৰ্য্যত বৈৰাগ্য আশ্ৰয় কৰি সন্ন্যাসী হবৰ আৱশ্যক নাই, তাকেহে এই ৰাসলীলাৰ তাৎপৰ্য্যই বিশদ কৰি বুজালে। সংসাৰত থাকিও নিলিপ্ত হৈ, বাক্য মন বুদ্ধিক একান্তভাৱে কৃষ্ণত নিবিষ্ট কৰি পৰমাত্মা শ্ৰীকৃষ্ণক পাব যে পাৰি এই সত্য ইয়াৰ দ্বাৰাই প্ৰকাশিত হল। শ্ৰীশঙ্কৰদেৱে এই বাবেই গৃহস্থী হৈ গৃহতে থাকি শ্ৰীকৃষ্ণক ভজনা কৰিবৰ উপদেশ বাৰে বাৰে দিছিল আৰু আহিৰে নিজেও তাকে কৰি দেখুৱাইছিল আৰু সেই বাবেই তেওঁ সন্ন্যাসীৰ ধৰ্ম্ম আৰু সন্ন্যাসাশ্ৰমৰ বিৰোধী আছিল।

অন্তৰত এক ঈশ্বৰক বাহিৰত নানা দেখিয়োক
অন্তৰত বোধ বাহিৰত জড়প্ৰায়।
বুদ্ধিত সমস্ত ত্যজিয়োক বাহিৰত সঙ্গ দেখায়োক
এইভাৱে ৰাম লোকত ফুৰা বেড়াই। -ঘোষা

বাস্তৱিক ঈশ্বৰসাধকৰ যি কেইটা অৱস্থা (stage) তাকেহে আত্মা পৰমাত্মাৰ ৰমণ, প্ৰকৃতি-পুৰুষৰ লীলা, এই ৰাসলীলাত পৰিস্ফুট কৰি দেখুৱা হৈছে। ই অশ্লীলতা-গন্ধেৰে কলুষিত হোৱাটো দূৰৰ কথা, শ্ৰুতিপ্ৰতিপাদিত সাধক ভক্ত আৰু পৰমাত্মা ঈশ্বৰৰ নিগূঢ় তত্ত্ব প্ৰকাশহে। বাস্তৱিকতে চিদ্‌গোপী-সকলেহে চিদানন্দঘন-বিগ্ৰহ শ্ৰীকৃষ্ণকে সৈতে বৃন্দাবনত ক্ৰীড়া কৰিছিল। মায়া গোপীসকল নিজ নিজ ঘৰত নিজ নিজ পতিৰ কাষতে আছিল। দূৰস্থিত কোনো এক বস্তুত যেতিয়া আমি সকলো হৃদয়, মন, চিত্ত, বুদ্ধি সমৰ্পণ কৰি ঘৰতে বহি থাকোঁ, তেতিয়া অস্থিমাংসময় মায়া-দেহহে ঘৰতে থাকে আৰু সেই জড়দেহৰ তেতিয়া সম্বন্ধ চতুঃপাৰ্শ্ব স্থিত জড় পদাৰ্থবোৰেহে সৈতে ; প্ৰকৃত মনুষ্য সুদূৰত। আমাৰ আত্মীয়-স্বজনে তেতিয়া নিজৰ ঘৰত থকাহে আমাক দেখে, কিন্তু বাস্তৱিকতে চিন্ময় প্ৰকৃত আমি সেই সুদূৰ বস্তুতহে। ভক্ত সাধকৰো এনেকুৱাই হয়। তেওঁৰ অস্থিমাংসময় পাথিৱ মায়াদেহ প্ৰাকৃত সংসাৰত আত্মীয় বন্ধুসকলৰ কাষতে থাকে, কিন্তু আত্মা, অপ্ৰাকৃত চৈতন্যদেহ, সচ্চিদানন্দ ঈশ্বৰৰ সেৱা আৰু ঈশ্বৰেৰে সৈতে ক্ৰীড়াত নিমগ্ন। ৰাসলীলাত ভক্ত সাধকৰ চৰম অৱস্থা প্ৰদৰ্শন আৰু সাধনা-ভজনৰ অতি ওখ অথচ সহজ উপদেশ প্ৰদান। এনে ৰাসলীলাও যদি অশ্লীল, তেন্তে শ্লীল কি কব নোৱাৰোঁ।

গোপীসকলৰ স্বামীসকলে দেখিলে নিজৰ স্ত্ৰী নিজৰ কাষতে। শ্ৰীকৃষ্ণৰ প্ৰতি কোনো অসূয়া তেওঁলোকৰ নজন্মিল। শ্ৰীকৃষ্ণৰ গাত তেওঁলোকে কোনো দোষাৰোপ নকৰিলে আৰু কৰিবৰ কাৰণো নাপালে। অথচ বাহিৰা মানুহে ভাবিলে শ্ৰীকৃষ্ণই পৰদাৰা লৈ ক্ৰীড়া কৰিছে। ইয়াতকৈ আচৰিত কথা কি আছে ? শুকদেৱে সেইদেখি ঠিক কথাকে কৈছে,—

নৈতৎ সমাচৰেজ্জাতু মনসাপি হ্যনীশ্বৰঃ।
বিনশ্যত্যাচৰন্ মৌঢ্যাদ্ যথাৰুদ্ৰোহব্ধিজং বিষম্॥

শ্ৰীধৰ স্বামীয়েও সেইদেখি টীকাত ভাবাৰ্থ প্ৰকাশ কৰিছে—

এৱন্তুতৈশ্বৰ্য্যাভাৱে তথা কুৰ্ব্বন্তঃ পাপা জ্ঞেয়া ইতি ভাবঃ।

অৰ্থাৎ যাৰ এনেকুৱা ক্ষমতা নাই, সি তেনে কৰিলে পাপী হব। অখিল সংসাৰৰ অধিপতি, আত্মাৰাম, সাক্ষাৎমন্মথমন্মথ শ্ৰীকৃষ্ণৰ পাপৰ আশঙ্কা নাই।

ইটো ৰাসক্ৰীড়া কথা কৃষ্ণৰ।
একান্ত চিত্তে শুনে যিটো নৰ॥
কৃষ্ণত ভকতি বাঢ়িবে তাৰ।
কাম-সাগৰ সুখে হৈবে পাৰ॥

—শ্ৰীশঙ্কৰদেৱ

পাঁচ

বৃন্দাবনৰ গোপীসকলে শ্ৰীকৃষ্ণক যেনেকৈ পাবৰ নিমিত্তে ব্যাকুল হৈছিল, সেইটো জ্ঞানী আৰু যোগীৰো দুৰ্লভ। তেওঁলোকে ঈশ্বৰক পতিভাৱে পাবলৈ তীব্ৰ আকাঙ্ক্ষা কৰিছিল। কল্পতৰু ঈশ্বৰে তেওঁলোকৰ আকাঙ্ক্ষা পূৰণ কৰিলে। তেওঁ গীতাত নিজ মুখেৰেই কৈছে,—'যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈৱ ভজাম্যহম্।' বাস্তৱিকতে যি তেওঁৰ ওচৰত যিৰূপকে বিচাৰে, তেওঁ তাক তাকেই

দিয়ে। যি ধন-জন-ঐশ্বৰ্য্য-বিভূতি বিচাৰে, তেওঁ সেইবোৰ তাক দিয়ে, যি স্বৰ্গসুখ বিচাৰে সেইটো তেওঁ তাক দিয়ে। যি ক্ষণিক পাৰ্থিব সুখ আৰু ক্ষয়শীল স্বৰ্গসুখ নিবিচাৰি মুক্তিসুখ বিচাৰে, তাক তেওঁ মুক্তিসুখ দিয়ে আৰু যি একান্ত ভকতে এইবোৰ একোকে নিবিচাৰি আৰু মুকুতিসুখকো পৰিত্যাগ কৰি তেওঁৰ চৰণসেৱা-সুখ বিচাৰে, তাক তেওঁ তাকে দিয়ে। অৱশ্যে বিচৰা মানে, বাক্যেৰে বা কণ্ঠেকীয়া উত্তেজনা বা আকাঙ্ক্ষাত পৰি অথচ অন্তৰৰ নিভৃত স্থলত আন সুখৰ বাসনাৰ ক্ষীণ বা প্ৰবল প্ৰভা ৰাখি বিচৰাটো নহয়; এই বিচৰা কায়মনোবাক্যে সকলো পাৰ্থিব সুখৰ বাসনা পৰিত্যাগ কৰি অভিলষিত পৰম বস্তু পাবৰ নিমিত্তে ব্যাকুল আকাঙ্ক্ষাৰ ব্যাকুল সাধনা। ঈশ্বৰ অন্তৰ্য্যামী। আমাৰ অন্তৰত তেওঁক পাবলৈ ব্যাকুলতা আছে নে নাই; তেওঁক পাবৰ প্ৰাৰ্থনাত সংসাৰৰ সুখৰ বাসনাৰ ছাট মিহলি হৈ আছে নে নাই তেওঁ জানে; সেইদেখি আমি মিশ্ৰিত ভাব, মিশ্ৰিত বাসনা ৰাখি তেওঁক পাবলৈ বাঞ্ছা কৰিও কৃতকাৰ্য্য নহওঁ। ব্ৰজৰ গোপীসকলৰ ঈশ্বৰ লাভৰ বাসনা, ঈশ্বৰক সৰ্ব্বতোভাৱে পতিৰূপে পাবৰ আকাঙ্ক্ষা বিশুদ্ধ, তীব্ৰ আৰু অবিমিশ্ৰ; সেই বাবে ঈশ্বৰে তেওঁলোকৰ কামনা পূৰ্ণ কৰিলে। গোপীসকলে সকলো পৰিত্যাগ কৰি, লৌকিক বৈদিক সকলো বিধি-নিষেধ পৰিহাৰ কৰি, তিৰোতাৰ অত্যাজ্য পাৰ্থিব পতি আৰু অত্যাজ্য লাজ পৰ্য্যন্ত পৰিহাৰ কৰি পৰম পতিক বৰণ কৰিলে দেখি পৰম পতি পৰমেশ্বৰে তেওঁলোকক গ্ৰহণ কৰিলে। ভক্ত গোপীৰ পৰমবস্তু লাভ কৰিবৰ নিমিত্তে পাৰ্থিব ক্ষুদ্ৰ বস্তু, ক্ষুদ্ৰ সম্বন্ধ ত্যাগ আৰু সেই পৰমবস্তু লাভৰ নিমিত্তে ব্যাকুলতা দেখি ভগৱন্তই 'ৰন্তুং মনশ্চক্ৰে যোগমায়ামুপাশ্ৰিতঃ।' ভক্তবৎসল ভগৱন্তই পতিভাৱেই গোপীসকলৰ প্ৰাৰ্থিত বস্তু দান কৰিলে। আত্মাৰাম কৃষ্ণৰ আনত ৰমণৰ কোনো আৱশ্যকতা নাই, কিন্তু শৰণাগত জীৱৰ অভিলাষ পূৰ্ণ কৰাই হৈছে তেওঁৰ আনন্দাস্বাদন অৰ্থাৎ ৰমণ। এই ৰমণত পাৰ্থিব স্ত্ৰী-পুৰুষৰ ৰমণৰ নিচিনা বাহ্যক্ৰিয়া নাই আৰু তাৰ আৱশ্যকতা নাই। আত্মাৰাম পৰমব্ৰহ্মৰ ৰমণৰ নিমিত্তে কামিনী নামৰ দ্বিতীয় বস্তুৰ প্ৰয়োজন নাই। যোগমায়াক আশ্ৰয় কৰি তেওঁৰ এই ৰাসক্ৰীড়াক ৰতিক্ৰীড়াৰ নিচিনা দেখুৱাইছিল মাথোন। তেওঁ গীতাত নিজ মুখেই কৈছে 'নাহং প্ৰকাশঃ সৰ্ব্বস্য যোগমায়া সমাবৃতঃ।' অৰ্থাৎ মই যোগমায়াৰে আবৃত থাকোঁ দেখি মোক সকলোৱে দেখিবলৈ নাপায়। বহিৰঙ্গ মানুহৰ প্ৰতীতিৰ নিমিত্তেই ঈশ্বৰে যোগমায়াক আশ্ৰয় কৰি তেনেকৈ দেখুৱাইছিল। যাৰ শৃঙ্গাৰ ৰসত ৰতি আছে, সি আন নহলে সেই ৰসৰ আকৰ্ষণতে ঈশ্বৰৰ পৰমতত্ত্ব নিত্যলীলা বুজিবৰ, শুনিবৰ আৰু কীৰ্ত্তন কৰিবৰ ফালে যাতে আহে, এই নিমিত্তে এই ক্ৰিয়াত চিত্তাকৰ্ষক প্ৰাকৃত শৃঙ্গাৰ ৰসৰ আৱৰণ। দয়াময় তেওঁ কত উপায়েৰে সংসাৰ-তাপক্লিষ্ট জীৱক সুমধুৰ বংশীধ্বনিৰে মাতিব লাগিছে, কিন্তু সংসাৰ বিষেৰে জৰ্জৰিত জীৱই বিষয়-অপথ্য খাই কলা হৈ ৰহি আছে, সেই আহ্বানলৈ তাৰ কাণ নাযায়। শৃঙ্গাৰ ৰসৰ লোভতে এই মুগ্ধ জীৱই কৃষ্ণকথা শুনি, ভণি তেওঁৰ ফালে আকৃষ্ট হৈ যাতে উদ্ধাৰ পায় তাৰ নিমিত্তে এই মহৌষধিত পাৰ্থিব শৃঙ্গাৰ ৰস-ৰূপ চেনিৰ আৱৰণ। কিজানি গোপীসকলৰ কৃষ্ণৰ ফালে প্ৰথম আকৰ্ষণত কামৰ ছাট আছিল কিন্তু এই আকৰ্ষণেই টানি অনতিবিলম্বে তেওঁলোকক কৃষ্ণপ্ৰেমৰ অনন্ত সমুদ্ৰত পেলাই দিলে। তেওঁলোকে কৃষ্ণৰ কৃপাত কামৰোগৰপৰা মুক্ত হৈ প্ৰেমানন্দত নিমগ্ন হল। কামতে পৰি থাকিলে মুক্তি বা মুকলি কত? কাম যে পেচ থকা 'স্ক্ৰু', তাত যত ঘূৰিবা তত তললৈ সোমাবা। তাত তৃপ্তি আৰু পূৰ্ণতা নাই। আছে তাত অতৃপ্তি, অশান্তি আৰু বিষাদ। সেইবাবেই ভগৱন্তই গীতাত কৈছে—

> কাম এষ ক্ৰোধ এষ ৰজোগুণসমুদ্ভৱঃ।
> মহাশনো মহাপাপ্মা বিদ্ধ্যেনমিহ বৈৰিণম্ ॥
> আবৃতং জ্ঞানমেতেন জ্ঞানিনো নিত্যবৈৰিণা।
> কামৰূপেণ কৌন্তেয় দুষ্পূৰেণানলেন চ ॥

অৰ্থাৎ কাম ৰাজোগুণোদ্ভৱ কৃষ্ণসৰ্পৰ নিচিনা। কেতিয়াবা সি ক্ৰোধৰ ৰূপ ধৰি আহে। কাম দুষ্পূৰ মহাপাপ; তাৰ সমান অৰি নাই। কাম দুষ্পূৰ অগ্নিৰ সমান, তাৰ তৃষ্ণা কেতিয়াও নপলায়। এই বাবেই শ্ৰীধৰ স্বামীয়ে টীকাত কৈছে—

> ব্ৰহ্মাদিজয়সংৰূঢ়দৰ্পকন্দৰ্প দৰ্পহা।
> জয়তি শ্ৰীপতিৰ্গোপীৰাসমণ্ডলমণ্ডিতঃ॥
> কন্দৰ্পজেতৃত্বপ্ৰতীতৈৰেৱং—সাক্ষান্মন্মথমন্মথঃ ॥

আৰু এই বাবেই শুকদেৱে নিজেই কৈছে—

> কামং হৃদ্ৰোগমাশ্বপহিনোত্যচিৰেণ ধীৰঃ।

প্ৰেম নিত্য, অপ্ৰাকৃত আৰু আনন্দবিষয়ক; কাম আগন্তুক, প্ৰাকৃত আৰু পদাৰ্থবিষয়ক। প্ৰাকৃত পদাৰ্থত আনন্দ নাই। জীৱ মোহমায়াত পৰি তাত আনন্দ বিচাৰি হাৰবাণ হয়। যদি সৌভাগ্যৰ বলত জীৱৰ এই মোহ দূৰ হয়, তেতিয়া তেওঁ প্ৰকৃত আনন্দৰ ফালে ধাৱমান হয়। তেতিয়া জীৱই বুজিব পাৰে যে অস্থি-মাংস-মেদ-মজ্জাময় দেহত আনন্দ নাই; আনন্দঘন শ্ৰীকৃষ্ণৰ আনন্দ সমুদ্ৰত বুৰিব পাৰিলেহে আনন্দ। এই আনন্দ সমুদ্ৰত বুৰিবৰ নিমিত্তে জীৱৰ যি ব্যাকুলতা, সেই ব্যাকুলতাই প্ৰেম। মানুহক সেই প্ৰেম প্ৰদৰ্শন কৰাই প্ৰেমময়ে

তেওঁৰ কাললৈ লৈ যাবৰ নিমিত্তে গোপীসকলক নিমিত্ত মাত্র কৰি সাক্ষাৎ-মন্মথ তেওঁৰ বৃন্দাবনত এই ৰাসলীলা।

ভগৱন্তক পতিভাবে পোৱাটো জ্ঞানী আৰু যোগীৰো দুৰ্লভ বুলি ওপৰত কোৱা হৈছে। জ্ঞানী যোগীয়ে পৰমেশ্বৰত মিলি তদাকাৰ হোৱাটোৱেই কামনা কৰে। কিন্তু ভক্তই নিজৰ অস্তিত্ব নেহেৰুৱাই (যদিও জীৱ তেওঁৰে অংশই) তেওঁক ন বিধ ভক্তিৰে সেৱা কৰি তেওঁৰ প্ৰীতি সম্পাদন কৰি নিত্যানন্দ আস্বাদন কৰিবলৈহে একমাত্র আকাঙ্ক্ষা কৰে। সাধাৰণতঃ দেখা যায় জীৱমাত্ৰকৰে চিৰকাল থাকিবৰ প্ৰধান ইচ্ছা, নিজৰ অস্তিত্ব জীৱই হেৰুৱাব নোখোজে। নিৰ্ব্বাণ স্বাভাৱিক বাসনা নহয়। জীৱৰ যদি এই চিৰকাল থাকিবৰ বাসনা পূৰাব নোৱাৰা বস্তু হল-হেঁতেন তেন্তে কল্পতৰু দয়াময়ে সেই বাসনা বা ইচ্ছা জীৱৰ অন্তৰত কেতিয়াও প্ৰোথিত কৰি নিদিলে-হেঁতেন। এতেকে এইটো আমি সিদ্ধান্ত কৰিব পাৰোঁ যে সাধাৰণতঃ জীৱৰ যিটো একান্ত ইচ্ছা সেইটো জীৱৰ নিশ্চয় অন্তত পাওনা অৰ্থাৎ শেহত সেইটো তেওঁ পাবই। গোপীসকলে আত্মসত্তা নেহেৰুৱাকৈ ঈশ্বৰক পতিভাবে লাভ কৰি চিৰকাল নিত্যানন্দ আস্বাদন কৰিবলৈকে ব্যাকুল হৈছিল আৰু ভক্তবৎসল শ্ৰীকৃষ্ণই তেওঁলোকক তাকে দিবলৈ ইচ্ছা কৰি বংশীধ্বনিৰে মাতি আনিছিল। এই বাবে কোৱা হৈছে "বভূৱ মনশ্চক্ৰে।"

ঈশ্বৰ লাভৰ বাট বৰ দুৰ্গম। কঠোৰ সাধনা নকৰিলে দুৰ্লভ ঈশ্বৰ-লাভ নহয়। বেদত কৈছে—

এষ সৰ্ব্বেষু ভূতেষু গূঢ়োহ হত্মা ন প্ৰকাশতে।
দৃশ্যতে ত্বগ্ৰ্যয়া বুদ্ধ্যা সূক্ষ্ময়া সূক্ষ্মদৰ্শিভিঃ॥
(কঠোপনিষদ)

অৰ্থাৎ এই আত্মা সৰ্ব্বভূতত প্ৰচ্ছন্ন আছে, প্ৰকাশ নাপায় কিন্তু সূক্ষ্মদৰ্শীসকলে এওঁক সুতীক্ষ্ণ বুদ্ধিৰে দৰ্শন কৰে।

অপি সংৰাধনে প্ৰত্যক্ষানুমানাভ্যাম। (ব্ৰহ্মসূত্ৰ)

অৰ্থাৎ সংৰাধনৰ সময়ত তেওঁ দৃষ্ট হয়, শ্ৰুতি-স্মৃতি ইয়াৰ প্ৰমাণ। সংৰাধন অৰ্থ ভক্তি, ধ্যান প্ৰণিধান ইত্যাদিৰ অনুষ্ঠান।

সংসাৰসাধনকালে পশ্যন্তি যোগিনঃ। সংৰাধনং চ ভক্তিধ্যানপ্ৰণিধানাদ্যনুষ্ঠানম্॥ (শঙ্কৰভাষ্য)

কঠোপনিষদত কৈছে—

পৰাঞ্চি খানি ব্যতৃণৎ স্বয়ম্ভূস্তস্মাৎ পৰাক্ পশ্যতি নান্তৰাত্মন্।
কশ্চিদ্ধীৰঃ প্ৰত্যগাত্মানমৈক্ষদাবৃত্তচক্ষুৰমৃতত্বমিচ্ছন্॥

অৰ্থাৎ স্বয়ম্ভু ভগৱন্তই ইন্দ্ৰিয়বোৰক বহিৰ্ম্মুখ কৰিছে, সেই বাবে জীৱসকলে বহিৰ্ব্বিষয়হে দেখে, অন্তৰাত্মাক দেখিবলৈ নাপায়। কিন্তু কোনো ধীৰ লোকে অমৰত্বক ইচ্ছা কৰি আবৃতচক্ষু হৈয়ো বহি-ৰ্ব্বিষয়ৰপৰা ইন্দ্ৰিয়বোৰক প্ৰত্যাহাৰ কৰি পৰমাত্মাক দৰ্শন কৰে। ঈশ্বৰলাভৰ এই দুৰ্গম বাটক অল্প-বুদ্ধি মানুহৰ নিমিত্তে সুগম কৰিবলৈ ঈশ্বৰে নানা অৱতাৰ ধৰি নিজক প্ৰকাশ কৰে। গীতাত ঈশ্বৰে সেইদেখি "যদা যদা হি ধৰ্ম্মস্য" এই শ্লোকেৰে নিজৰ অৱতাৰৰ হেতু প্ৰকাশ কৰিছে। মহাভাৰতৰ বনপৰ্ব্বতো ঠিক এনেকুৱা শ্লোক এটা আছে—

যদা যদা হি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহম্॥
প্ৰৱিষ্টো মানুষং দেহং সৰ্ব্বং প্ৰশময়াম্যহম্॥

বেদান্তৰ শাৰীৰক ভাষ্যত আছে—

"পৰমেশ্বৰস্যাপীচ্ছাৱশান্মায়াময়ং ৰূপং সাধকানুগ্ৰহাৰ্থম্।"

পৰম দুৰ্ব্বোধ আত্ম-তত্ত্ব তাৰ জ্ঞান অৰ্থে হৰি যত
লীলা-অৱতাৰ ধৰা তুমি কৃপাময়। (ঘোষা)

যেনেকুৱা কালত ধৰ্ম্মৰ যেনেকুৱা গ্লানি উপস্থিত হয় সেই কালৰ উপযোগী মূৰ্ত্তি ঈশ্বৰে গ্ৰহণ কৰি তেওঁৰ কাৰ্য্যসিদ্ধি কৰি জীৱৰ প্ৰতি অনুগ্ৰহ কৰে। ৰসাতলৰপৰা পৃথিৱী উদ্ধাৰ কৰিবলৈ বৰাহ মূৰ্ত্তি, হিৰণ্যকশিপুক বধ কৰিবলৈ নৃসিংহ মূৰ্ত্তি, ভাগৱদ্ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ কৃষ্ণ মূৰ্ত্তি, বৈদিক যাগ-যজ্ঞাদিত পশু বধ আদি হিংসা ধৰ্ম্মৰ প্ৰতিৰোধ কৰিবৰ নিমিত্তে বুদ্ধ মূৰ্ত্তি ইত্যাদি।

লোকমান্য, বেদবিদ্, প্ৰগাঢ় পণ্ডিত তিলকৰ মৃত্যুৰ আগতে তেওঁৰ শেষ উচ্চাৰিত কথা গীতাৰ সেই সুবিদিত শ্লোক—"যদা যদা হি ধৰ্ম্মস্য"। শ্ৰীমদ্ভাগৱতত এই কথা অনেকবাৰ অনেক ঠাইত কোৱা হৈছে। নৱম স্কন্ধৰ অন্তত শুকদেৱে ইয়াকে কৈছে। আৰু কৈছে—"হে ৰাজন্। নচেৎ নিজন মায়াৰ নিয়ন্তা, সঙ্গবিহীন, সৰ্ব্বসাক্ষী আৰু সৰ্ব্বগত, তেওঁৰ মায়াবিনোদ ব্যতিৰেকে জন্ম অথবা কৰ্ম্মৰ হেতু আৰু কি হব পাৰে? তেওঁৰ মায়া-চেষ্টা জীৱৰ পক্ষে অনুগ্ৰহ স্বৰূপ; কাৰণ সেয়ে সৃষ্টি-স্থিতি-প্ৰলয়ৰ নিদান—তাৰ দ্বাৰাই সৃষ্টি প্ৰভৃতি নিবৃত্তি হোৱাত জীৱৰ পক্ষে সি মোক্ষৰ কাৰণ হয়। ৰাজন্! ভগৱন্ত সৰ্ব্বশক্তিমান্। যদিও সঙ্কল্প মাত্ৰকতে তেওঁ ভূভাৰ হৰণ কৰিবৰ সমৰ্থ, তথাপি কলিযুগত বিসকল ভক্ত জন্মিব, সেইসকলৰ প্ৰতি অনুগ্ৰহ প্ৰকাশ কৰি তমোগুণ নাশক পবিত্ৰ যশ বিস্তাৰ কৰিলে। সেই যশ সাধুসকলৰ কৰ্ণামৃত

আৰু শ্ৰেষ্ঠ তীৰ্থস্বৰূপ। এবাৰ মাথোন সেই যশ কৰ্ণাঞ্জলিৰে পান কৰিলে পুৰুষে কৰ্ম্ম-বাসনা পৰিত্যাগ কৰিবলৈ সম্যকৰূপে সমৰ্থ হয়।"

সপ্তম স্কন্ধৰ প্ৰথম অধ্যায়ত নাৰদে যুধিষ্ঠিৰৰ প্ৰশ্নৰ উত্তৰত কৈছে—"ঈশ্বৰ অদ্বিতীয় আৰু সকলোৰে আত্মা। তেওঁৰ দেহত আত্মাভিমান নাই। তেওঁ হিতৰ নিমিত্তে আনক দণ্ড কৰে সঁচা। এই দেখি অতিশয় শত্ৰুতা, ভক্তিযোগ, ভয়, স্নেহ বা অভিলাষ যিকোনো উপায়ে হওক, তেওঁক চিন্তা কৰিবা। এইবোৰ উপায়ৰ বাহিৰে তেওঁক কোনো ৰূপে সাক্ষাৎ কৰা নাযায়। মানহে মায়ামানৱ সাক্ষাৎ ভগৱন্ত শ্ৰীকৃষ্ণক শত্ৰুভাৱে চিন্তা কৰিলেও, সেই চিন্তাৰ বলত নিষ্পাপ হৈ তেওঁৰ স্বৰূপতা লাভ কৰে। কাম, দ্বেষ, ভয়, স্নেহ অথবা উপযুক্ত ভক্তিবশতঃ ঈশ্বৰত মনোনিবেশ কৰি অনেকে কামাদিজনিত পাপৰপৰা মুক্তি লাভ কৰি তেওঁক পাইছে। কামবশতঃ গোপীসকলে, ভয়বশতঃ কংসই, দ্বেষবশতঃ চৈদ্য প্ৰভৃতি নৃপতিসকলে, সম্বন্ধবশতঃ বৃষ্ণিবংশীয় সকলে, স্নেহবশতঃ তোমালোকে (যুধিষ্ঠিৰ আদিয়ে) আৰু ভক্তিবশতঃ আমি (নাৰদাদিয়ে) তেওঁক পাইছোঁহক।"

ঈশ্বৰক পাবৰ পথ দুগম দেখি মানুহে ভগত আগ নাবাঢ়ে। দয়ালু তেওঁ মানুহক তেওঁৰ ওচৰলৈ নৈ যায়। সেইদেখি বৃন্দাবনত সুমধুৰ লীলা কৰি, দৃশ্যকাব্যৰ অভিনয় কৰিলে, যাতে মানুহ যেনে তেনে মতে তেওঁৰ ফালে গৈ ভৱৰোগৰপৰা বিমুক্ত হয়। মহৰ্ষি বেদব্যাসেও কাব্য-ভাষাৰে সেই লীলা বহিৰঙ্গ মানুহৰ চিত্তাকৰ্ষক কৰি লেখিলে। শ্ৰীমদ্ভাগৱতে প্ৰভু, মিত্ৰ আৰু প্ৰিয়তমা এই তিনিউবো নিচিনাকৈ মানুহক উপদেশ দিয়ে অৰ্থাৎ বৈকুণ্ঠৰ কল্পতৰু শ্ৰীমদ্ভাগৱত বেদ, পুৰাণ আৰু কাব্য এই তিনিওটাৰ সমন্বয়।—

> বেদাঃ পুৰাণং কাব্যঞ্চ প্ৰভুৰ্মিত্ৰং প্ৰিয়েৱ চ।
> বোধয়ন্তীতি প্ৰাহুস্ত্ৰিবৃদ্ ভাগৱতং পুনঃ॥

মহৰ্ষি বেদব্যাসে পাঠক আৰু শ্ৰোতাক সেইবাবে শ্ৰীকৃষ্ণাভিমুখ কৰিবৰ নিমিত্তে ৰাসলীলা প্ৰভৃতিৰ বৰ্ণনাত কাব্যৰস ঢালি দিছে। সেইদেখি তেওঁ ৰাসলীলাৰ দ্বিতীয়-তৃতীয় শ্লোকতে আৰম্ভ কৰিছে—

> তদোডুৰাজঃ ককুভঃ কৰৈৰ্মুখং
> প্ৰাচ্যা বিলিম্পন্নৰুণেন শন্তমৈঃ।
> স চৰ্ষণীনামুদগাচ্ছুচো মৃজন্
> প্ৰিয়ঃ প্ৰিয়ায়া ইৱ দীৰ্ঘদৰ্শনঃ॥

অৰ্থাৎ যেনেকৈ বহু কাল বিদেশত বাস কৰাৰ পিছত গৃহাগত প্ৰিয়তমে স্বহস্তে নিজৰ প্ৰিয়তমাৰ মুখকমল কুংকুমৰাগেৰে ৰঞ্জিত কৰে, সেইদৰে ঠিক এই সময়তে নক্ষত্ৰপতি চন্দ্ৰই নিজৰ সুশীতল হাতেৰে পূৰ্ব্বদিশৰ মুখ স্বৰূপ প্ৰথমাংশ অৰুণ বৰণেৰে ৰঞ্জিত কৰি প্ৰাণীসকলৰ দিবাতাপ উপশম কৰি উদিত হ'ল।

> হেনকালে উদিত চন্দ্ৰ পূৰ্ব্বদিশ হন্তে।
> কামাতুৰা স্ত্ৰীৰ যেন সন্তাপ মাৰ্জ্জন্তে। (কীৰ্ত্তন)

> দৃষ্ট্বা কুমুদ্বন্তমখণ্ডমণ্ডলং
> ৰমাননাভং নৱকুঙ্কুমাৰুণম্।
> বনঞ্চ তৎকোমলগোভিৰঞ্জিতং
> জগৌ কলং বামদৃশাং মনোহৰম্॥

> অৰ্থাৎ—অখণ্ডমণ্ডল চন্দ্ৰ দেখিলন্ত হৰি।
> কুঙ্কুমে অৰুণ লক্ষ্মী মুখপদ্ম গাৰি॥
> বনকো দেখিল চন্দ্ৰ-ৰশ্মিয়ে ৰঞ্জিত।
> সুস্বৰ মধুৰ কৰি হৰি গাইলা গীত। (কীৰ্ত্তন)

আনন্দ বিগ্ৰহ পৰমাত্মাই "কলং জগৌ" অৰ্থাৎ "অস্ফুটমধুৰ মগাসং।" "কল" শব্দৰ অৰ্থ অস্ফুট মধুৰ স্বৰ। ভগৱন্তৰ বংশীৰ গীতও মধুৰ কিন্তু অস্ফুট। বংশীৰ ধ্বনি ভগৱন্তৰ নিশ্বাসবায়ুৰ দ্বাৰাই উদ্গীত শব্দ। সেই শব্দই শব্দ-ব্ৰহ্ম। শব্দ-ব্ৰহ্ম = Logos।

> যদ্বাচাহনভ্যুদিতং যেন বাগভ্যুদ্যতে।
> তদেৱ ব্ৰহ্ম ত্বং বিদ্ধি নেদং যদিদমুপাসতে॥
> (কেনোপনিষদ)

অৰ্থাৎ বাক্যৰ দ্বাৰাই যাৰ বচন নহয়, যাৰ দ্বাৰাই বাক্য উক্ত হয়, তেৱেঁই ব্ৰহ্ম।

শ্ৰীমদ্ভাগৱতৰ বেদস্তুতিত আছে, পৰমেশ্বৰৰ প্ৰথম নিশ্বাসতে বেদসকল বাজ হ'ল। "প্ৰথম নিশ্বাসে বাজ ভৈল বেদগণ।" (কীৰ্ত্তন) শ্ৰুতিয়েও কৈছে "পৰমব্ৰহ্মৰ নিশ্বাস-বায়ুৱেই ঋগ্বেদ, যজুৰ্বেদ, সামবেদ ইতিহাস আৰু পুৰাণ।" এতেকে পৰমব্ৰহ্মৰ নিশ্বাস-বায়ুৱেই বাঁহীত সোমাই সুস্বৰ গীত হয় অৰ্থাৎ বেদাদিয়েই পৰমব্ৰহ্মৰ লীলা-বিগ্ৰহ শ্ৰীকৃষ্ণৰ বংশীধ্বনি। শ্ৰীকৃষ্ণই ভক্ত উদ্ধৱক কৈছে—

> কিং বিধত্তে কিমাচষ্টে কিমনূদ্য বিকল্পয়েৎ।
> ইত্যস্যা হৃদয়ং লোকে নান্যো মদ্বেদ কশ্চন॥

অৰ্থাৎ বেদে কি কৈছে, কি বিধান কৰিছে, আকৌ একপ্ৰকাৰ হৈ প্ৰকাৰান্তৰে আকৌ কি এক কৈছে, সেইটো স্থিৰ কৰা বৰ কঠিন। মোৰ বাহিৰে বেদৰ গুঢ় অভিপ্ৰায় কোনেও নাজানে। ভগৱন্তই অৰ্জ্জুনক কৈছে—

> বেদৈশ্চ সৰ্বৈৰহমেৱ বেদ্যো।
> বেদান্তকৃদ্বেদবিদেৱ চাহম্॥

অৰ্থাৎ ময়েই সমস্ত বেদৰ প্ৰতিপাদ্য, ময়েই বেদান্তৰ কৰ্ত্তা আৰু এক মাথোন ময়েই বেদজ্ঞ।

এই বাবে বাঁহীত অস্ফুট অথচ সুমধুৰ কল-ধ্বনি। যাৰ কাণত সেই ধ্বনিৰ, সেই আহ্বানৰ মধুৰ মৰ্ম প্ৰতিভাত হয়, সি ভগৱন্তৰ নিজ সমীপলৈ আহ্বান বুজিব পাৰে। বেদৰ কৰ্ত্তা, বেদৰ গূঢ় অভিপ্ৰায় বুজোতা শ্ৰীকৃষ্ণই বেদৰ সাৰ বাঁহী লৈ সকলো শাস্ত্ৰৰ সাৰ অৰ্থ সুমধুৰ স্বৰেৰে বুজাই দিলে— "আহা, মোৰ কাষলৈ আহা। সকলোকে পৰিত্যাগ কৰি আহা; সকলো ক্ষণিক; মইহে নিত্য আৰু পৰমানন্দ।"

গীতাৰ শেহতো ভগৱন্তই অৰ্জ্জুনক এই শেহ সাৰ পৰমাৰ্থকে উপদেশ দিছিল—

সৰ্ব ধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব পাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ॥

বেদৰ গূঢ়াৰ্থ, গীতাৰ গূঢ় তত্ত্ব সকলোৱে বুজিব নোৱাৰে কাৰণ সি অস্ফুট। সেইবোৰৰ নানা লোকে নানা অৰ্থ কৰে। কৰ্ম্মীয়ে কয়, বেদ কৰ্ম্মপ্ৰধান। জ্ঞানীয়ে কয়, বেদ জ্ঞানপ্ৰধান। গীতা পঢ়িও যোগীয়ে কয়, গীতা যোগপ্ৰধান। কৰ্ম্মীয়ে কয়, কৰ্ম্মপ্ৰধান। জ্ঞানীয়ে কয়, জ্ঞানপ্ৰধান। ভক্তই কয়, ভক্তিপ্ৰধান। কাৰণ গীতাৰ গূঢ় তত্ত্ব অস্ফুট। বেদৰ গূঢ় অভিপ্ৰায়ো অস্ফুট। শ্ৰীকৃষ্ণৰ কলধ্বনিও সেইদৰে অস্ফুট আৰু সেইদেখি নানা জনৰ কাণত নানা ৰকমে পৰে। যশোদাই বাঁহীৰ মাতত শুনিছিল, "আই" "আই"। শ্ৰীদাম-সুদাম প্ৰভৃতিয়ে শুনিছিল "শ্ৰীদাম-সুদাম"। গাভীসকলে শুনিছিল "ধৱলী শ্যামলী" ইত্যাদি। আৰু গোপীসকলে শুনিছিল, তেওঁলোকৰ নিজ নিজ নাম, যথা ৰাধা, বৃন্দা, ললিতাদি।

বেদাদি-তত্ত্ব

এক

আৰ্য্যজাতিৰ ধৰ্ম্মভাৱৰ উন্মেষৰ প্ৰথম মুকুল্লী ঋক্‌বেদ*। আৰ্য্যজাতিৰ যিটো ঠাল সুমেৰু প্ৰদেশ বা ইলাবৰ্ত্ত এৰি ভাৰতবৰ্ষত সোমাইছিল, তেওঁলোকৰ দেৱতাসকলৰ স্তৱ স্তোত্ৰ গানবোৰৰ কিছুমান শীতপ্ৰধান ইলাবৰ্ত্ততে ৰচিত হৈছিল। সেই স্তোত্ৰবিলাকো অলিখিত অৱস্থাত অনেক কাল তেওঁলোকৰ মুখে মুখে চলি আহিল। বাপেকৰ পৰা পুতেকলৈ মুখে মুখে বৰ সাৱধানেৰে সেইবোৰ গাবলৈ শিকাইছিল আৰু কিছুমান স্তোত্ৰ কেতিয়াও নেপাহৰাকৈ পুৰুষানুক্ৰমে শ শ বছৰ চলি আহিছিল। সেইবোৰ শুনি মনত ৰখা হৈছিল দেখি তাক শ্ৰুতি বোলা হৈছিল আৰু প্ৰাচীন কালৰ জ্ঞান দেখি বেদ বোলা হৈছিল।

ভাৰতবৰ্ষলৈ আহি হিন্দু আৰ্য্যবিলাকে পঞ্জাবৰ নৈবোৰৰ পাঁতিত ভালেমান কাল উজুভাৱে সুখেৰে কাল কটাইছিল। তেওঁলোকে দেৱ নামৰ উজ্জ্বল মিত্ৰ দেৱতাসকলৰ পূজা-অৰ্চ্চনা কৰিছিল। দেৱ শব্দৰ অৰ্থ জ্যোতিৰ্ম্ময়। ভাৰতবৰ্ষলৈ অহাৰ আগেয়ে তেওঁলোক উত্তৰ ফালে চেঁচা দেশত আছিল, সেই দেখি তেওঁলোকৰ জাৰ গুচাবলৈ আৰু খোৱা বস্তু ৰান্ধিবলৈ জুইৰ আৱশ্যক হৈছিল। সেই নিমিত্তে তেওঁলোকে জুই-দেৱতা অগ্নিৰ স্তৱ কৰিছিল। কিন্তু যেতিয়া তেওঁলোকে পঞ্জাবলৈ আহি দেখিলে যে তেওঁলোকৰ শস্য উৎপাদনৰ নিমিত্তে বৰষুণ বৰ লাগতিয়াল, তেতিয়া তেওঁলোকে আকাশী দেৱতা ইন্দ্ৰৰ পূজা আৰু স্তৱ কৰিবলৈ ধৰিলে। তেওঁলোকে ভাবিছিল যে মৃত্যুৰ পিছত তেওঁলোকৰ আত্মা বতাহৰ মাজেদি ওপৰলৈ উঠি সিপুৰীলৈ যায়। সেই পুৰীৰ ৰজা যম, যি তেওঁলোকৰ পাপ-পুণ্যৰ বিচাৰ কৰে। এইদেখি তেওঁলোকে যমৰ স্তুতি-স্তোত্ৰ গাইছিল। তেওঁলোকৰ মূৰৰ ওপৰত থকা আকাশৰ দেৱতা বৰুণক, পৃথিৱীত পোহৰ দিওঁতা সূৰ্য্যক, সকলো ঠাইত বলি থকা বতাহক, দিনক আগবঢ়াই আনোতে হেঙুলীয়া উষাক তেওঁবিলাকে স্তৱ-স্তুতি কৰিছিল।

ঋক্‌বেদ মানে স্তুতি-বেদ। পৃথিৱীৰ ভিতৰত ঋক্‌বেদেই অতি পুৰণি পুথি। তাৰ ভিতৰত ১০২৮টা স্তৱ আছে আৰু সেইবোৰ অগ্নি, ইন্দ্ৰ, প্ৰমুখ্যে দেৱতাসকলৰ স্তুতি-গান। ইয়াৰ অনেক কালৰ পিছত ঋকবেদৰ শ্লোকবিলাক লিখিত অৱস্থালৈ অনা হয়। যজুঃ আৰু সাম এই দুখন বেদ ঋকবেদৰ অনেক কালৰ পিছত ৰচিত হয়। ঋক-বেদ আৰ্য্যবিলাকৰ ধৰ্ম্মশাস্ত্ৰ। সেই অতীত কালত আৰ্য্যবিলাকৰ ভিতৰত পুৰোহিত নাছিল আৰু দেৱতাৰ আগত জীয়া জন্তু বলি দিয়া প্ৰথাও নাছিল। মাথোন ধান চাউল যৱ ঘেহু আদি শস্য আৰু সোম-ৰসেৰেই তেওঁলোকে তেতিয়া তেওঁলোকৰ উপাস্য দেৱতাৰ পূজা কৰিছিল। ইয়াৰ পিছত কালক্ৰমত আৰ্য্যবিলাক ভাৰতবৰ্ষৰ উত্তৰ ভাগত বিয়পি পৰি সেই ঠাইবোৰৰ আদিবাসী মানুহবিলাকেৰে সৈতে সংঘৰ্ষণলৈ আহিলত তেওঁবিলাকৰ ধৰ্ম্মৰ গঢ় লাহে লাহে লৰিবলৈ ধৰিলে। এইভোৰৰ কালতে যজুঃ আৰু সাম নামে বেদ দুখন ৰচিত হল।

*এই সিদ্ধান্ত আজিকালি কোনো কোনো ভাৰতীয় পণ্ডিতে ভুল বোলে। তেওঁলোকে কয় সামবেদহে প্ৰথম।

যজ্ঞ শব্দৰ অৰ্থ পূজা, বলি। যজুৰ্ব্বেদৰ এভাগত ঋকবেদৰ প্ৰাৰ্থনা অৰ্থাৎ স্তুতিৰ শ্লোকবোৰ আছে। সেইবোৰ একশ্ৰেণীৰ পুৰোহিতে দেৱতাৰ বলি দি পূজা কৰোঁতে গায়। আৰু এভাগত বলি দিবৰ নিয়ম-প্ৰণালী, যাগ-যজ্ঞৰ বিধি-বিধান আছে। যজুৰ্ব্বেদক আৰ্য্য হিন্দুৰ প্ৰাৰ্থনা-শাস্ত্ৰ বুলিব পাৰি। সামবেদত ঋকবেদৰ স্তোত্ৰৰ শ্লোক কিছুমান আছে। সেই স্তোত্ৰবোৰ আন এক শ্ৰেণীৰ পুৰোহিতে, দেৱতাৰ উদ্দেশ্যে বলি নৈবেদ্য দি কৰা পূজাৰ সময়ত গান কৰে। সামবেদক আৰ্য্যবিলাকৰ স্বৰ-শাস্ত্ৰ বা ধৰ্ম্ম-সঙ্গীত শাস্ত্ৰ বুলিব পাৰি। গীতাত ভগৱানে বিভূতিযোগাধ্যায়ত "বেদৰ ভিতৰত মই সামবেদ" বুলি কৈছে। এই কথাৰ দ্বাৰাই সামবেদৰ উৎকৃষ্টতা আৰু বিশিষ্টতা সূচিত হৈছে। এই তিনিখন বেদ ৰচিত হোৱাৰ ভালেমান কালৰ পিছত হে চতুৰ্থখন বেদ অৰ্থাৎ অথৰ্ব্ববেদ ৰচিত হয়। কোনো কোনো পণ্ডিতে গীতা ৰচিত হোৱাৰ পিছতহে অথৰ্ব্ববেদ ৰচিত হৈছিল বুলি কয়। ইয়াৰ কাৰণ, গীতাৰ অনেক ঠাইত তিনিখন বেদৰহে উল্লেখ আছে, চতুৰ্থ অথৰ্ব্ববেদৰ উল্লেখ নাই। অথৰ্ব্ববেদত যাদুবিদ্যা, ভৈষজ্য প্ৰভৃতি অনেক বিষয় আছে, যিবোৰ যাজ্ঞিক ক্ৰিয়াকৰ্ম্মৰ উপযোগী নহয়। কৰ্ম্মকাণ্ডত ব্যৱহাৰৰ যোগ্য বিষয় অথৰ্ব্ববেদত খুব কমহে আছে। এই নিমিত্তে শ্ৰৌত গ্ৰন্থবোৰৰ ভিতৰত অথৰ্ব্ববেদৰ কোনো মাহাত্ম্য নাই। ঋক-বেদৰ ব্ৰাহ্মণত অথৰ্ব্ববেদৰ কোনো উল্লেখ নাই। শতপথ ব্ৰাহ্মণতো বেদক ত্ৰয়ীবিদ্যা বুলিহে কৈছে। বৌদ্ধ যুগতো ঋক, যজুঃ, সাম এই তিনিখন বেদহে ত্ৰয়ীবিদ্যা ৰূপে জনাজাত আছিল। কৌষীতকী ব্ৰাহ্মণত, ছান্দোগ্য উপনিষদতো অথৰ্ব্ববেদৰ উল্লেখ নাই। আন কি অমৰকোষতো অথৰ্ব্ববেদক বেদৰ ভিতৰত ধৰা নাই,—"ঋক্‌সামযজুংষি ইতি বেদাস্ত্ৰয়-স্ত্ৰয়ী" (অমৰকোষৰ স্বৰ্গবৰ্গ)। মহাভাৰত আৰু পৌৰাণিক যুগতহে অথৰ্ব্ববেদৰ প্ৰতিপত্তিৰ গম পোৱা যায়। এতিয়াও দাক্ষিণাত্যৰ অনেক অগ্ৰগণ্য পণ্ডিতব্ৰাহ্মণে অথৰ্ব্ববেদক বেদ বুলি গ্ৰহণ কৰিব নোখোজে।

কালক্ৰমত যাগযজ্ঞৰ ধুম আৰ্য্যসকলৰ ভিতৰত বাঢ়ি গলত, চাৰিখন বেদেও তেওঁলোকক নোজোৰা হল। কোন পুৰোহিত, কোন হোতাই, কোন আচাৰ্য্যই যজ্ঞৰ কি কি কাম কৰিব লাগে, সেইসবে বিধি-বিধান তেওঁলোকে ন নকৈ ৰচনাই লিখি প্ৰত্যেক বেদতে সুমাবলৈ ধৰিলে। ঋকবেদৰ ব্ৰাহ্মণে বৈদিক মন্ত্ৰ উচ্চাৰণকৰোঁতা পুৰোহিতক কেনেকৈ তেওঁ সেই মন্ত্ৰ মাতিব লাগে, আক কৈ দিলে। সামগানকৰোঁতা পুৰোহিতে কেনেকৈ সামগান কৰিব লাগে, সামবেদৰ ব্ৰাহ্মণে তাৰ বিধান দিলে। যজ্ঞকৰোঁতা পুৰোহিতে কেনেকৈ যজ্ঞ কৰিব লাগে, যজুৰ্ব্বেদৰ ব্ৰাহ্মণে তাৰ ব্যৱস্থা দিলে। অথৰ্ব্ববেদৰ ব্ৰাহ্মণে বেদৰ শ্লোকবিলাকৰ খোলোচা ঢাকৈ অৰ্থ কৰি দিলে। এইদৰে বেদত ব্ৰাহ্মণ ভাগৰ সৃষ্টি হল। এই ব্ৰাহ্মণবোৰৰ কিছুমানক আৰণ্যক বোলে। মানুহৰ বসতিৰপৰা আঁতৰ হৈ থকা অৰণ্যবাসী ঋষিসকলৰ নিমিত্তে আৰণ্যকবিলাকত বিধি-বিধান লিখা আছে। আৰণ্যকবিলাক ঋক্ আৰু যজুৰ্ব্বেদৰ ভিতৰতহে। সাম আৰু অথৰ্ব্ব-বেদত আৰণ্যক নাই। বেদ, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদবিলাক শ্ৰুতিৰ অন্তৰ্গত।

বৈদিক ঋষিসকলে প্ৰাকৃতিক দেৱতাসকলৰ স্তৱ-স্তুতি কৰি সূত্ৰাৱলী ৰচনা কৰিছিল। সূৰ্য্য, অগ্নি, বৰুণ, বায়ু, আকাশ আদিৰ প্ৰধান শক্তি দেখি সেইবোৰৰ প্ৰতি ভয়, ভক্তি, প্ৰশংসা, কৃতজ্ঞতা প্ৰকাশ কৰি প্ৰথমতে তেওঁলোকে স্তৱ-স্তুতি ৰচনা কৰি গাইছিল। তাৰ পিছত যাগ, যজ্ঞ, বলি আদিৰে সেই সেই দেৱতাসকলৰ পূজাৰ ব্যৱস্থা হল। বৈদিক সূক্তবোৰ সঙ্কলিত হৈ ঋক্, যজুঃ, সাম এই তিনি সংহিতাত বিভক্ত হলত, প্ৰথম কালৰ দেৱতাসকলক স্তুতি কৰোঁতে ঋক্ বেদৰ যি কবিত্বৰ উচ্ছ্বাস আছিল পিছত আৰু সি নাইকিয়া হল।

এনে সময়ত উপনিষদৰ আবিৰ্ভাৱ। চিন্তাশীল হিন্দুসকলক যাগযজ্ঞৰ অসংখ্য অনুষ্ঠান পদ্ধতিবোৰে আমনি লগাই পেলাইছিল। তেওঁবিলাকৰ মনত লাহে লাহে প্ৰশ্ন ওলাল যে এই বিশ্বসংসাৰৰ মূল কাৰণ কি? চন্দ্ৰ, সূৰ্য্য, বায়ু, বৰুণ, আকাশৰ শক্তিৰ মূলত কি? কোনে এইবোৰ দেৱতাক বা শক্তিক নিয়ম বান্ধি দি চলাইছে? আৰু মানুহ এই সংসাৰলৈ ক'ৰপৰা আহিল আৰু ইয়াৰ পিছত ক'লৈ যায়? গভীৰ চিন্তা কৰি কৰি তেওঁলোকে পালেগৈ যে আটাইবোৰ প্ৰাকৃতিক পদাৰ্থ আৰু শক্তিৰ ভবিত এজন আছে। সেইজন সৰ্ব্বব্যাপী, নিৰ্ম্মল, নিৰ-ৱয়ৱ, শিৰা আৰু ব্ৰণৰহিত, শুদ্ধ, অপাপবিদ্ধ। তেওঁ সৰ্ব্বদৰ্শী, মনৰ নিয়ন্তা, সকলোতকৈ শ্ৰেষ্ঠ আৰু স্বপ্ৰকাশ। তেওঁ সৰ্ব্বতিকাল প্ৰজাসকলক যথোপযুক্ত অৰ্থসকল বিধান কৰিছে। তেওঁৰপৰা প্ৰাণ, মন আৰু সমুদায় ইন্দ্ৰিয় আৰু আকাশ, বায়ু, জ্যোতি, জল আৰু সকলোৰে আধাৰ এই পৃথিৱী উৎপন্ন হৈছে। তেওঁৰ ভয়ত অগ্নি প্ৰজ্বলিত হৈছে, সূৰ্য্যই উত্তাপ দিছে, মেঘে বাৰি বৰ্ষণ কৰিছে, বায়ু সঞ্চালিত হৈছে আৰু মৃত্যু সংহৰণ কৰিছে। ইয়াকে বোধিয়া তেওঁলোকে বিচাৰি পালেগৈ, তেওঁলোকে কৃতজ্ঞ হৃদয়েৰে আঁঠু কাঢ়ি সেইজনক নমস্কাৰ কৰিলে,—"ওঁ যো দেৱোঽগ্নৌ যোঽপসু যো

বিশ্বং ভুৱনমাবিবেশ। য ওষধিষু যো বনস্পতিষু তস্মৈ দেৱায় নমো নমঃ।" অৰ্থাৎ যি দেৱতা অগ্নিত, যি জলত, যি বিশ্ব-সংসাৰত প্ৰবিষ্ট হৈ আছে; যি ঔষধিত, বনস্পতিত, সেই দেৱতাক আমি বাৰে বাৰে নমস্কাৰ কৰোঁ। উপনিষদৰ ঋষিসকলে দেখিলে যে বেদৰ সূৰ্য্য, চন্দ্ৰ, বায়ু, আকাশ আদি দেৱতাবিলাকৰো স্রষ্টকৰ্ত্তা এজন মহাদেৱতা বা পৰমাত্মা আছে। জগতৰ সকলো বস্তু, সকলো প্ৰাণী সেই পৰমাত্মা পৰমপুৰুষজনৰপৰা উৎপত্তি হৈছে আৰু সকলোবিলাক শেহত তেওঁতে লয় যাব। যেনেকৈ মহাসমুদ্ৰৰপৰা পানী তাপ হৈ উৰি মেঘলৈ যায় আৰু তাৰপৰা বৰষুণৰ আকাৰেৰে পৃথিৱীত পৰি নৈ হৈ বৈ গৈ আকৌ সেই মহাসমুদ্ৰত পৰি লয় গৈ তাৰে এক অংশ হয়, সেইদৰে সকলোবিলাক সেই জনৰপৰা আহে আৰু উভতি গৈ তেওঁতে লয় গৈ তেওঁৰে অংশীভূত হয়। সেই পুৰুষজনৰ নাম তেওঁলোকে ব্ৰহ্ম বা ঈশ্বৰ ৰাখিলে।

ব্ৰহ্মৰ স্বৰূপ কেনে, তেওঁলোকে অনেক চিন্তা কৰি কলে—"এতদ্বৈ তদক্ষৰং গাৰ্গি ব্ৰাহ্মণা অভিৱদন্তি, অস্থূলমনণ্বহ্ৰস্বমদীৰ্ঘমলোহিতমস্নেহমচ্ছায়মতমোঽবায়্‌-নাকাশমসঙ্গমৰসমগন্ধমচক্ষুষ্কমশ্ৰোত্ৰমবাগমনোঽতেজস্কমপ্ৰাণমমুখমমাত্ৰম॥" অৰ্থাৎ হে গাৰ্গি। ব্ৰাহ্মণে যাক অভিবাদন কৰে এনেজন অবিনাশী ব্ৰহ্ম, যি স্থূল নহয়, অণু নহয়, হ্ৰস্ব দীৰ্ঘ নহয়। তেওঁ অলোহিত অৰ্থাৎ তেওঁত ৰক্তাদি কোনো বৰ্ণ নাই। অস্নেহ অৰ্থাৎ তেওঁ জলীয় বস্তু নহয়। তেওঁ অচ্ছায়, অতমঃ, অবায়ু, অনাকাশ, অসঙ্গ, অৰস, অগন্ধ, অচক্ষু, অকৰ্ণ, অবাক, মনোবিহীন, তেজোবিহীন, শাৰীৰিক প্ৰাণবিহীন, মুখবিহীন, কাৰো লগতে তেওঁৰ উপমা নহয়। "যতো ৱাচো নিৱৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ।" অৰ্থাৎ মনেৰে সৈতে বাক্যই যাক নাপাই নিবৃত্ত হয়। "এতস্য বা অক্ষৰস্য প্ৰশাসনে গাৰ্গি সূৰ্য্যাচন্দ্ৰমসৌ বিধৃতৌ তিষ্ঠতঃ॥ দ্যাৱাপৃথিৱ্যৌ বিধৃতে তিষ্ঠতঃ॥" অৰ্থাৎ এই অক্ষৰ পুৰুষৰ শাসনত, হে গাৰ্গি। সূৰ্য্য চন্দ্ৰ বিধৃত হৈ স্থিতি কৰিছে। দ্যুলোক আৰু ভূলোক বিধৃত হৈ থিতি কৰিছে। "যদিদং কিঞ্চ জগৎ সৰ্ব্বং প্ৰাণ এজতি নিঃসৃতম্। মহদ্ভয়ং ৱজ্ৰমুদ্যতং য এতদ্বিদুৰমৃতাস্তে ভৱন্তি॥" অৰ্থাৎ এই প্ৰাণস্বৰূপ পৰমেশ্বৰৰ অধিষ্ঠান প্ৰযুক্ত তেওঁৰপৰা নিঃসৃত এই সমস্ত ব্ৰহ্মাণ্ড যথানিৰ্দ্দিষ্ট নিয়মে প্ৰৱৰ্ত্তিত হৈ আছে। (তেওঁৰ প্ৰতিষ্ঠিত ধৰ্ম্মসেতু লংঘন কৰিব খোজোঁতালৈ) তেওঁ উদ্যত বজ্ৰৰ নিচিনা মহাভয়ানক। যি এই পৰমেশ্বৰক জানে, সি অমৰ হৈ অক্ষৰ ব্ৰহ্মানন্দ উপভোগ কৰে। আমাৰ শঙ্কৰদেৱে কীৰ্ত্তনত কৈছে—

থিটো ব্ৰহ্ম নোহে তৰ্কগোচৰ।
নপাৰে বচনে মনে ওচৰ॥
নাহি উতপতি নাহি মৰণ।
সদায়ে প্ৰণামো তান চৰণ॥

বেদৰ প্ৰাকৃতিক বহু দেৱতাৰ পূজাৰ পৰা উপনিষদৰ এই এক ব্ৰহ্ম, এক ঈশ্বৰপূজালৈ অহাটো হিন্দু আৰ্য্যৰ চূড়ান্ত উন্নতি। বেদ জ্ঞানকাণ্ড আৰু কৰ্ম্মকাণ্ডেৰে সংগঠিত। উপনিষদেই জ্ঞানকাণ্ডৰ চৰম সীমা। সেইদেখি উপনিষদক বেদান্ত বোলে। উপনিষদো শ্ৰুতিৰ অন্তৰ্গত। উপনিষদ অনেক আৰু এটাইবোৰ একে সময়ৰ ৰচনাও নহয়। আধুনিক অনেক গ্ৰন্থই উপনিষদ নাম জালকৈ লৈছে। সেইদেখি উপনিষদ নাম থাকিলেই যে সি বেদৰ অন্তৰ্গত হ'ল এনে নহয়। বৈদান্তিক আৰু অন্যান্য প্ৰাচীন মত প্ৰচাৰকসকলে উপনিষদ অৱলম্বন কৰি নিজৰ মত প্ৰতিপাদন কৰা দেখি, নতুন সম্প্ৰদায়ৰ অনেক গুৰুৱেও অনেক নতুন উপনিষদ প্ৰস্তুত কৰিলে। এনে উপনিষদৰ লেখ এনে সৰহ যে তাক ঠিক কৰা টান। চাজাহান বাদশাহৰ পুতেক দাৰাই ৫০ খন উপনিষদ ফাৰ্চী ভাষালৈ অনুবাদ কৰাইছিল আৰু দুপেৰ নামে ফৰাচী পণ্ডিত এজনে সেইবোৰ ফৰাচী ভাষালৈ ভাঙিছিল। ডাক্তাৰ বোয়াৰে ১৩৮ খন উপনিষদৰ লেখ উলিয়াইছিল। আৰু এজনে ১৫৪ খন উলিয়াইছিল। মুঠতে উপনিষদবোৰ চাৰি শ্ৰেণীত বিভক্ত কৰিব পাৰি। আদিম উপনিষদবোৰ গদ্যত লিখা, কিন্তু সেই গদ্য আজি-কালিৰ সংস্কৃত গদ্যৰ নিচিনা নহয়। বেদৰ ব্ৰাহ্মণৰ গদ্যৰ নিচিনা। বৃহদাৰণ্যক, ছান্দোগ্য, তৈত্তিৰীয়, ঐতৰেয়, কৌষীতকী এই শাৰীৰ। দ্বিতীয় শ্ৰেণীৰ উপনিষদবোৰ গদ্য-পদ্যত বিৰচিত। কঠোপনিষদ, কেনোপনিষদ আদি এই শ্ৰেণীৰ। তৃতীয় শ্ৰেণীৰ উপনিষদবোৰ আকৌ গদ্যলৈ উভতি গৈছে। এই গদ্য আধুনিক সংস্কৃতৰ গদ্যেৰে ৰচিত। মৈত্ৰায়ণী আদি উপনিষদ এই শ্ৰেণীৰ। চতুৰ্থ শ্ৰেণীৰ ভিতৰত যিবোৰ উপনিষদ ধৰা যায়, সেইবোৰক অথৰ্ব্ব উপনিষদ বোলে। সেইবোৰ গদ্য-পদ্যত বিৰচিত। প্ৰশ্ন, মুণ্ডক, মাণ্ডুক্য এইবোৰ অথৰ্ব্বোপনিষদৰ ভিতৰৰ। বেদান্তাদি দৰ্শনশাস্ত্ৰত যেনে এটা নিৰ্দিষ্ট মত অৱলম্বিত আৰু প্ৰতিপাদিত হৈছে, উপনিষদত তেনে নহয়। তাত অনেক সময়ত পৰস্পৰ বিৰুদ্ধ বা বিভিন্ন মত দেখা যায়। কোনো ঠাইত বা জীৱ ব্ৰহ্মৰ অভেদ ভাৱ, আকৌ কোনো ঠাইত বা সম্পূৰ্ণ স্বতন্ত্ৰ ভাৱ বৰ্ণিত হৈছে। সি যি নহওক, উপনিষদৰ হিন্দু ঋষিসকলে যে পৰমাৰ্থ চিন্তা বিষয়ত প্ৰগাঢ় জ্ঞান লাভ কৰিছিল আৰু বিশ্বসংসাৰৰ সম্পূৰ্ণ কেন্দ্ৰাভিমুখী হৈছিল, তাৰ কোনো ভুল নাই।

বেদৰ সবল বিশ্বাসে উপনিষদত পৰিপক্কতা লাভ কৰিলে। ইয়াৰ পিছত যুক্তি-তৰ্কৰ যুগ আহিল। হিন্দু আৰ্য্যৰ তীক্ষ্ণ বুদ্ধি বিকাশ আৰু প্ৰয়োগৰ সময় উপস্থিত হ'ল। দাৰ্শনিক যুক্তি-তৰ্ক, ন্যায়ৰ তীক্ষ্ণ অস্ত্ৰ, ব্ৰহ্ম, ঈশ্বৰ, শক্তি, পুৰুষ, প্ৰকৃতি, সৃষ্টিতত্ত্ব ইত্যাদি নিয়োজিত হ'ল। ফলত ষড়দৰ্শনৰ উৎপত্তি। কপিলৰ সাংখ্যই প্ৰথম দৰ্শন। সাংখ্য জ্ঞানবাদী। উপনিষদো জ্ঞানবাদী। উপনিষদৰ বিক্ষিপ্ত জ্ঞানক আৰু ওপৰে ওপৰে দেখোতে বিৰোধী জ্ঞান-চিন্তাক সংক্ষিপ্ত কৰি যুক্তি ধৰি জ্ঞানৰ বাটত যাওঁতে যাওঁতে সাংখ্য উপনিষদৰ পৰা আঁতৰত পৰিল আৰু প্ৰকৃতি পুৰুষত ওলাই কৈবল্য মুক্তিত শেষ কৰি নিৰীশ্বৰ-বাদত ওৰ হলগৈ। পাতঞ্জলৰো উনৈশবিশ সেয়ে ঘটিল। জৈমিনিৰ পূৰ্ব্বমীমাংসাই, জ্ঞানবাদী সাংখ্য আৰু উপনিষদে হেলেকলেক কৰা বেদৰ কৰ্ম্মকাণ্ডত যুক্তিৰ টোকা দিবলৈ ব্যগ্ৰ হ'ল। শেহত উত্তৰ-মীমাংসা বা বেদান্তদৰ্শনে, সাংখ্য-পাতঞ্জলে তৰ্কৰ বামাবলিৰে উৰাই দি গোলমাল কৰিব খোজা উপনি-ষদৰ ব্ৰহ্মবাদক যুক্তিতৰ্কৰ সুদৃঢ় ভেটিত স্থাপন কৰি, হিন্দুৰ আত্মতত্ত্ববাদ, ব্ৰহ্মবাদ, সৃষ্টিতত্ত্ববাদ আদি পৰমাৰ্থ চিন্তাক উন্নতিৰ অভ্ৰভেদী শিখৰত তুলিলে। কিন্তু তথাপি তাত সোণৰ কলচীটি দিবলৈ থাকি গ'ল। সেই কলচীটি গুৰিতে উপনিষদৰ। সাংখ্য, পাতঞ্জল, বেদান্ত দৰ্শনৰ বিৰোধ ভঞ্জন কৰি, সৰ্ব্ব-ধৰ্ম্মৰ সমন্বয় কৰি, ঈশ্বৰবাদৰ সূত্ৰেৰে তাক বান্ধি জ্ঞানযোগ, কৰ্ম্মযোগৰ অপূৰ্ব্ব অমূল্য সমলত ভক্তি-যোগৰ মধুমিশ্ৰিত কৰি সেই কলচীটিত ভৰাই, পৰ-মেশ্বৰত অব্যভিচাৰী একশৰণ ধৰ্ম্মৰ তাক বাখৰ পতাই আৰ্য্য হিন্দুৰ অপূৰ্ব্ব ধৰ্ম্মৰ পৰমাৰ্থ চিন্তা মন্দিৰৰ মূৰত শ্ৰীমদ্ভগৱদ্গীতাই তাক স্থাপন কৰিলে। সকল হিন্দু ধৰ্ম্মশাস্ত্ৰ কিয়, জগতৰ যাৱতীয় ধৰ্ম্ম-শাস্ত্ৰৰ ভিতৰত গীতাই নিঃসন্দেহে অতি ওখ আসন অধিকাৰ কৰিছে।

দুই

অতীজৰ বেদৰ কালৰ পৰা এই কাললৈকে সকলো প্ৰকৃত ধৰ্ম্মশাস্ত্ৰ আৰু দৰ্শন শাস্ত্ৰই কয়,—ঈশ্বৰ অজ্ঞেয়, অব্যক্ত, অচিন্ত্য অথচ বেদকে আদি কৰি সেইসকল শাস্ত্ৰই ঈশ্বৰক নিজেও চিন্তা কৰিছে, স্তুতি কৰিছে, পূজা কৰিছে আৰু মানুহকো তেনেকৈ কৰিবলৈ উপদেশ দিছে। অচিন্ত্য ঈশ্বৰৰ চিন্তা, অব্যক্ত ঈশ্বৰৰ পূজা আৰু স্তুতি পৰস্পৰবিৰোধী কথা। কিন্তু ওপৰে ওপৰে দেখোঁতেহে, দকৈ খনি চালে নহয়।

এটা কেঁচুৱা ল'ৰাই তাৰ মাকক চিনে, মাকৰ মৰম, গন্ধ আদি জ্ঞান আৰু মাকৰ অস্তিত্ব অনুভৱ কৰিব পাৰে, অৱশ্যে তাৰ নিজৰ জ্ঞানৰ ক্ষমতা অনু-সাৰে। কিন্তু সম্পূৰ্ণ মাকজনী কি পদাৰ্থ, সেই মাকৰ বয়স, আদি, অন্ত, আগগুৰি ইত্যাদি নেজানে। মাকৰ মাতৃত্ব তাৰ আগত বিমান দূৰ প্ৰকাশিত অৰ্থাৎ সেই মাতৃত্বৰ ধাৰণা কৰিবৰ তাৰ বিমান কেৱা ক্ষমতা সেই পৰিমাণেহে মাক তাৰ আগত ব্যক্ত, তাৰ দ্বাৰাই চিন্ত্য আৰু পূজিত। সূৰ্য্যৰ আদি আদিও নেজানো, অন্তও নেজানো, কেনেকৈ তেওঁক কোনে কৰিলে বা কিহেৰে তেওঁ গঠিত হ'ল আৰু কেতিয়া ক'ত তেওঁৰ ওৰ পৰিব, ইত্যাদি সূৰ্য্যৰ সম্পূৰ্ণ জ্ঞান আমাৰ অজ্ঞেয়; কিন্তু তেওঁৰ সৈতে আমাৰ অচ্ছেদ-অভেদ সম্বন্ধ আৰু তেওঁ যিমানদূৰ আমাৰ বুদ্ধি বৃত্তিত প্ৰকাশিত সিমান দূৰ তেওঁক আমি জানো। এই বাবে সূৰ্য্য আমালৈ যেনেকৈ অজ্ঞেয়, তেনেকৈ জ্ঞেয়ও। সৰহ দূৰলৈ যাবই নেলাগে, আমাৰ বন্ধু বা নিজৰ কুটুম্ব এজনকে আমি যদি দিনে ৰাতিয়ে দেখিছো, তেওঁক ভালকৈ জানিছো, তথাপি তেওঁক সম্পূৰ্ণকৈ জানিছো বুলিলে ঠিক নহয়। আমি নজনা, ধৰিব নোৱৰা, কত গুণ-দোষ তেওঁত অব্যক্ত হৈ আছে তাৰ ওৰ নাই। এই-বোৰৰ তুলনাত অসীম অনন্ত ঈশ্বৰক জনা আমাৰ জ্ঞানকেবাক তুলনা কৰি চোৱা। চোৱা ভাবি সি কিমান ফেৰা। তথাপি আমি ঈশ্বৰক নেজানো যে এনে নহয়। তেওঁৰ অস্তিত্ব আমি অনুভৱ কৰিব পাৰোঁ। তেওঁৰ দয়া, কৰুণা ইত্যাদি অশেষ গুণৰ জলন্ত আভাস আমাৰ মনতে সতত জাগ্ৰত। তেওঁৰে আমাৰে নিত্য সম্বন্ধ। তেওঁক এৰি আমি এক মুহূৰ্ত্তও থাকিব নোৱাৰোঁ। তেওঁৰ চৰণত কৃতজ্ঞতা, ভক্তি, সেৱা, পূজা নকৰাকৈ থকাটো আমাৰ পক্ষে অসম্ভৱ। যি গাৰ বলেৰে ঈশ্বৰক আঁতৰ কৰি স্বকীয়া হৈ থাকিবলৈ যায় আৰু ঈশ্বৰৰ কৰুণা-কৃপা পায়ো তাক স্বীকাৰ নকৰি ভক্তিভৰে কৃতজ্ঞতা নজনায় বা জনাব নোৱাৰে, সি মিছলীয়া, অকৃতজ্ঞ আৰু অধম। কিন্তু এনে এটা দিন আহে, যেতিয়া সেই মূঢ় অহঙ্কাৰীৰো অহঙ্কাৰ চূৰ্ণ হয়। সেই মূঢ় অগৰ্ব্বীয়ো সময়ত ধৰা নপৰি নেথাকে। আনকি ডাঙৰ বিপদৰ কথাই নকওঁ, সৰু পিচল বা উজুটি এটা খালেই সি স্বভাৱতে ধৰা পৰে। হে মানৱ! তুমি নিশ্চয় জানি থবা,—ঈশ্বৰে তোমাৰপৰা কৃত-জ্ঞতা নিবিচাৰে, পূজা-ভক্তি নিবিচাৰে, কাৰণ তেওঁৰ একোৰে আৱশ্যক নাই। তেওঁ সূৰ্য্যৰ দৰে তোমাক জীৱন আৰু কিৰণ, পৰ্জন্যৰ দৰে বাৰি সমভাবে দি গৈছে, দি যাব, কিন্তু সেইবোৰ পায়ো তোমাৰ হিয়াত কৃতজ্ঞতা-কিংশুক নুফুলিলে, ভক্তিৰসৰ সোঁত নবলে, তুমি নিজকে এডোখৰ শিল বা এটা অগুণকাৰী পাষণ্ড প্ৰমাণ নকৰিবা নে? তুমি তোমাৰ পালক, জনক, ৰক্ষক, আনন্দদায়ক, মুক্তিদায়ক, ঈশ্বৰক সেৱা-ভজনা কৰাটো তোমাৰ কৰ্ত্তব্য কৰ্ম্ম বাবে

কৰিব লাগে। তোমাৰ পৰা সেইবোৰ ঈশ্বৰৰ আৱশ্যকীয় বুলি নহয়। কাৰণ তেওঁৰ একোৰে আৱশ্যক নাই। ঈশ্বৰৰ নিজৰ যদিও কোনো কৰ্ত্তব্য নাই, তথাপি তোমাক আদৰ্শ দেখুৱাবলৈ, যাতে তেওঁ সৃষ্ট সংসাৰত কৰ্ম্মলোপ, ধৰ্ম্মলোপ নহয় তাৰ নিমিত্তে তেওঁ স্বয়ং কৰ্ম্মশীল।

ঈশ্বৰ কোনো এটা লিঙ্গৰ অন্তৰ্গত নহয়। তেওঁ পুং স্ত্ৰী আৰু ক্লীব কোনো এটা লিঙ্গৰ ভিতৰত নহয়। তেওঁ পুৰুষো নহয়, তিৰোতাও নহয়। আমাৰ কল্পনাই তেওঁত পুৰুষ বা স্ত্ৰীভাৱ আৰোপ কৰে। আৰু সেই ভাৱৰ ভক্তিৰ শেষ ফলৰ উৎকৰ্ষ অপকৰ্ষ অনুসৰি আমি তেওঁৰ সমীপবৰ্ত্তী বা দূৰবৰ্ত্তী হওঁহক। তেওঁ জগৎ সৃষ্টি কৰিছে, সেইদেখি আমি কল্পনা কৰি লওঁ যে তেওঁৰ এভাগ প্ৰকৃতিৰ, এভাগ পুৰুষ কিয়নো দেখি শুনি আমাৰ জ্ঞান জন্মিছে যে পুৰুষ আৰু প্ৰকৃতি বা তিৰোতাৰ সংযোগতহে সৃষ্টি হোৱাটো নিয়ম। এই বাবে আদি দৰ্শনশাস্ত্ৰ সাংখ্যই ভাবিচিন্তি বিচাৰ কৰি প্ৰকৃতি-পুৰুষৰ কল্পনাতে চিন্তাৰ ওৰ পেলালেহেঁ। সাংখ্যৰ পিছৰ পাতঞ্জলেও তাকে কৰিলেহেঁ। কিন্তু তাকে কৰোঁতে তেওঁলোক তৰ্কৰ ঠেলাত পৰি বাস্তৱিক পক্ষত বাটতে ৰবলগীয়া হ'ল। ঈশ্বৰৰ খানত ওলাবহে নোৱাৰিলে। সাংখ্যই কবহে বাধ্য হল "ঈশ্বৰাসিদ্ধেঃ" (সাংখ্য দৰ্শনৰ প্ৰথম অধ্যায়ৰ ৯২ সূত্ৰ) প্ৰমাণৰ অভাৱত ঈশ্বৰ অসিদ্ধি অৰ্থাৎ ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে প্ৰমাণ নাই।

সাংখ্যৰ মতে প্ৰকৃতি আৰু পুৰুষ দুয়ো নিত্য, অনাদি আৰু অপৰিচ্ছিন্ন। প্ৰকৃতি জড়, পুৰুষ চেতন। প্ৰকৃতি সবিকাৰ, পুৰুষ কূটস্থ, নিৰ্ব্বিকাৰ। প্ৰকৃতি গুণময়ী, পুৰুষ নিৰ্গুণ। প্ৰকৃতি ভোগ্য, পুৰুষ ভোক্তা। প্ৰকৃতিয়েই গুণৰ দ্বাৰায় জগতৰ সৃষ্টি, স্থিতি, লয় আদি সকলো কাম সম্পাদন কৰে। পুৰুষ অকৰ্ত্তা, উদাসীন আৰু সাক্ষীস্বৰূপ হৈ বহি থাকে। প্ৰকৃতিৰপৰা সত্ত্ব, ৰজঃ, তমঃ—এই তিনি গুণ ওপজে আৰু পুৰুষে এই তিনি গুণৰ নিমিত্তে উৎপন্ন হোৱা সুখদুখ ভোগ কৰে আৰু এই গুণৰ দ্বাৰায় বান্ধ খায়েই পুৰুষ দেহত আবদ্ধ থাকে। প্ৰকৃতি পুৰুষ পৰস্পৰ সংযুক্ত থাকে দেখি প্ৰকৃতিৰ গুণ পুৰুষে পায় আৰু পুৰুষৰ গুণ অৰ্থাৎ চৈতন্যশক্তি প্ৰকৃতিত সংক্ৰমিত হয়। সেই নিমিত্তে বাস্তৱিকতে প্ৰকৃতি জড় হলেও তেওঁক সচেতন যেন লাগে আৰু পুৰুষ অকৰ্ত্তা হলেও তেওঁক কৰ্ত্তা যেন লাগে। প্ৰকৃতি জড়, সেই বাবে অন্ধ। পুৰুষ অকৰ্ত্তা, সেইবাবে খোৱা। প্ৰকৃতিৰ অভাৱত পুৰুষ খোৱা, পুৰুষৰ অভাৱত প্ৰকৃতি কণা। দুয়ো লগ লাগি থাকি দুইৰো অভাৱ দুয়ো পূৰণ কৰে। প্ৰকৃতি-পুৰুষৰ সংযোগৰ ফলেই সৃষ্টি। প্ৰকৃতিৰ সৃষ্টি নিজৰ নিমিত্তে নহয়, লোকৰ নিমিত্তে। পুৰুষ দৰ্শক হৈ উপস্থিত নেথাকিলে প্ৰকৃতিয়ে কোনো কাৰ্য্য নকৰে। সৃষ্টিৰ উদ্দেশ্য হৈছে পুৰুষৰ ভোগ আৰু মোক্ষ সাধন। সাংখ্যদৰ্শনত ঈশ্বৰৰ কোনো উত্থাপনেই নাই। সৃষ্টি বোলা মুক্তি বোলা, একোতে ঈশ্বৰৰ কোনো সম্পৰ্ক নাই। সাংখ্যৰ লক্ষ্য কৈৱল্য-মুক্তি। এই কৈৱল্য মুক্তি লভিবৰ উপায় জ্ঞান। কিহৰ জ্ঞান? সাংখ্যত কোৱা পঞ্চবিংশতি তত্ত্বৰ জ্ঞান যথা—(১) অব্যক্ত বা মূল প্ৰকৃতি, (২) বুদ্ধি বা মহৎ তত্ত্ব, (৩) অহঙ্কাৰ, (৮) পঞ্চতন্মাত্ৰ, (১৯) একাদশ ইন্দ্ৰিয়, (২৪) পঞ্চমহাভূত, (২৫) পুৰুষ। এই পঞ্চবিংশতি তত্ত্বৰ জ্ঞান মানে প্ৰকৃতি আৰু পুৰুষৰ ভেদজ্ঞান। এই তত্ত্বজ্ঞান যাৰ হৈছে তেওঁৰ মুক্তি হয়। এই জ্ঞানৰ দ্বাৰাই পুৰুষে যেতিয়া আপোনাকে আপুনি ভালকৈ জানিব পাৰে, তেতিয়া প্ৰকৃতি নাচনীৰ লীলাখেলা বন্ধ হয়, সৃষ্টিৰ বিৰাম হয় আৰু তেতিয়া সেইহে দুখৰ হাত সাৰি কৈৱল্য-মুক্তি লাভ কৰে।

পাতঞ্জল দৰ্শনো প্ৰায় সাংখ্যৰ নিচিনাই। পাতঞ্জলৰ পদাৰ্থবিভাগ সাংখ্য দৰ্শনৰ পদাৰ্থবিভাগৰ নিচিনা। সবহৰ ভিতৰত মাত্ৰ পাতঞ্জলৰ ঈশ্বৰ স্বীকাৰ। সাংখ্য পঞ্চবিংশতি তত্ত্ববাদী, পাতঞ্জল ষড়্বিংশতি তত্ত্ববাদী। সেই ষড়্বিংশতিতম তত্ত্বটিয়েই হৈছে ঈশ্বৰ। এই বাবে পাতঞ্জল দৰ্শনক সেশ্বৰ সাংখ্যও বোলে। পাতঞ্জলৰ মুখ্যবিষয় যোগ। পাতঞ্জলৰ যোগ মানে 'চিত্তবৃত্তি-নিৰোধ।' যোগ অষ্টাঙ্গ। যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধ্যান, ধাৰণা আৰু সমাধি এই অষ্টাঙ্গ। এই আঠোটাৰ পাঁচোটা বহিৰঙ্গ আৰু তিনিটা অন্তৰঙ্গ। ধ্যান-ধাৰণা আৰু সমাধিয়েই অন্তৰঙ্গ তিনটা। চিত্তবৃত্তিৰ সম্পূৰ্ণ নিৰোধ হলে নিৰ্বীজ সমাধি লাভ হয়। যিবোৰ চিত্তবৃত্তি ক্লেশ, কৰ্ম্ম-বিপাক আৰু আশ্ৰয়-জনক সেইবোৰ বৃত্তি নিৰোধ কৰাই নিৰ্বীজ সমাধিৰ উদ্দেশ্য। সমাধিৰ ওখ অৱস্থাক নিৰ্বীজ সমাধি বোলে। ধ্যানৰ পৰিপক্ক অৱস্থাত চিত্ত আন আন বিষয়ত সংজ্ঞাশূন্যৰ নিচিনা হয়, মাথোন ধ্যেয়াকাৰে স্ফূৰ্ত্তি পাই থাকে। এনে অৱস্থাকে নিৰ্বীজ সমাধি বোলে। অভ্যাস আৰু বৈৰাগ্যই এই সমাধি লাভ কৰিবৰ মুখ্য উপায়। "ঈশ্বৰপ্ৰণিধানাদ্বা" বুলি আৰু এটা উপায়ো পাতঞ্জলে কৈছে। কিন্তু এই-টোকে মুখ্য উপায় বুলি পাতঞ্জলে স্বীকাৰ নকৰে। পাতঞ্জল দৰ্শনত ঈশ্বৰৰ স্থান গৌণ। ঈশ্বৰক বাদ দিলেও পাতঞ্জলৰ মতে যোগ সিদ্ধিৰ কোনো বাধা নহয়। সাংখ্যৰ নিচিনাকৈ পাতঞ্জল দৰ্শনৰ কৈৱল্য-সিদ্ধি পুৰুষৰ স্বৰূপত অৱস্থান। যোগ সিদ্ধি

যাবায় পুৰুষে প্ৰকৃতিৰপৰা নিজক স্বকীয়াকৈ চিনি লব পাৰিলেই সিদ্ধি লাভ হ'ল। এয়েই কৈৱল্যৰ অৱস্থা। এই কৈৱল্যৰ অৱস্থাত চিত্তবৃত্তিবোৰ প্ৰকৃতিত বিলীন হৈ যায়। পুৰুষ তেতিয়া শুদ্ধ, বুদ্ধ, অকলশৰীয়া বা কেৱলীয়াভাৱে থাকে। পাতঞ্জলৰ যোগৰ অৰ্থ পৰমাত্মাৰে সৈতে জীৱৰ সংযোগ নহয়। প্ৰকৃতি-পুৰুষৰ যি বিয়োগ বা পাৰ্থক্য সাধন তাকেই যোগ বোলে। এই কৈৱল্যৰ অৱস্থা অভাৱাত্মক, দুখনিবৃত্তি মাথোন।

মীমাংসা দৰ্শন দুখন। এখনক পূৰ্ব্বমীমাংসা বোলে, আনখনক উত্তৰ মীমাংসা বা বেদান্ত বোলে। পূৰ্ব্বমীমাংসা জৈমিনিয়ে কৰা আৰু উত্তৰমীমাংসা ব্যাসে কৰা। বেদৰ কৰ্ম্মকাণ্ড ভাগৰ বিৰোধ ভঞ্জন কৰি তাক যুক্তিৰ ভেটিত থাপন কৰাই পূৰ্ব্বমীমাংসা দৰ্শনৰ উদ্দেশ্য। বেদান্তৰ প্ৰতিপাদ্য ব্ৰহ্মজ্ঞান আৰু অদ্বৈতবাদ। জীৱ আৰু ব্ৰহ্ম এক। নিৰ্গুণ ব্ৰহ্মত জীৱাত্মা প্ৰতিষ্ঠিত হলে জীৱৰ মুক্তি।

কিন্তু ঈশ্বৰ যে এই সমস্ত সৃষ্টিৰ বিশ্বব্ৰহ্মাণ্ডৰ কেন্দ্ৰ, সাংখ্যই সেই ঈশ্বৰক তেওঁৰ লেখৰপৰা বাদ দি ব্যাসাৰ্দ্ধ আৰু পৰিধিৰ ওপৰতে মাথোন সমস্ত বিশ্বব্ৰহ্মাণ্ড থিয় কৰিছে। বেদান্ত দৰ্শনে ব্যাসাৰ্দ্ধক মিছা মায়া বুলি উৰাই দি কেন্দ্ৰ আৰু পৰিধিক একে কৰি অৰ্থাৎ জীৱাত্মা আৰু পৰমাত্মাক একে কৰি দুইকো নিৰ্গুণ ব্ৰহ্মত শেষ কৰিছে। বেদান্তৰে সৈতে গীতাৰ ঘনিষ্ঠ সম্বন্ধ। গীতাও ব্ৰহ্মবাদী, অদ্বৈতবাদী, কিন্তু গীতাৰ ব্ৰহ্মবাদ আৰু অদ্বৈতবাদত বিশিষ্টতা আছে। গীতাৰ ব্ৰহ্ম সগুণ ব্ৰহ্ম, অদ্বৈতবাদ বিশিষ্ট অদ্বৈতবাদ। ঈশ্বৰ গীতোক্ত মতৰ কেন্দ্ৰ, প্ৰকৃতি ব্যাসাৰ্দ্ধ, জীৱবোৰ পৰিধি। উপনিষদৰ "ঈশাবাস্য মিদং সৰ্ব্বং যৎকিঞ্চ জগত্যাং জগৎ" অৰ্থাৎ ঈশ্বৰৰ দ্বাৰাই সমস্ত জগৎ ঢাক খাই আছে, এই সগুণ একত্বই গীতাৰ প্ৰতিপাদ্য।

গীতাৰ নিচিনাকৈ শঙ্কৰদেৱেও কয়—

তুমি সত্য ব্ৰহ্ম তোমাত প্ৰকাশে
জগত ইটো অসত্য।
জগততে সদা তুমিও প্ৰকাশা
অন্তৰ্য্যামী ভগৱন্ত ॥

এতেকে জগতখন পহাপছৰ শিং বা ইন্দ্ৰজাল বিদ্যাৰ নিচিনা একেবাৰেই মিছা মৰীচিকা নহয়। এই জগত আমাৰ পৰম উপকাৰী, আমি ইয়াত থাকি তোমাৰ নিৰ্দ্দিষ্ট কৰ্ম্ম কৰি তোমাক সেৱা কৰি তৰিবলৈ তুমি আমাক দিছা। এই বাবে দুষ্ট কলিকাল, নৰতনু, ভাৰতবৰ্ষ ধন্য। কাৰণ ভাৰতত কলিত নৰতনু পাই, তোমাৰ নাম গুণ গাই তোমাক ভক্তি কৰি ভজনা কৰি আমি তৰিবলৈ তুমি বাট কৰি দিছা। শঙ্কৰদেৱৰ ধৰ্ম্মৰ এই সাৰ কথা।

সাংখ্যৰ মতে প্ৰকৃতি আৰু পুৰুষ এই দ্বৈততত্ত্ব অনাদি। অপৰা প্ৰকৃতি জড়বৰ্গৰ উপাদান। পৰা প্ৰকৃতি চৈতন্যৰূপী জীৱভূত প্ৰকৃতি। গীতাই কয়, প্ৰকৃতি আৰু পুৰুষ চৰম তত্ত্ব নহয়। প্ৰকৃতি পুৰুষৰ অতীত সৰ্ব্বব্যাপী সৰ্ব্বগত পৰম পুৰুষ যি তেৱেঁই জগতৰ মূল কাৰণ। সত্ত্ব ৰজঃ তমঃ এই ত্ৰিগুণও তেওঁৰ পৰা ওলাইছে। ভূত চৰাচৰ ঈশ্বৰৰ অপৰা প্ৰকৃতি, জীৱাত্মা পৰা প্ৰকৃতি। পৰমাত্মাৰে সৈতে ভূত চৰাচৰতকৈও জীৱাত্মাৰ এটা বিশেষ সম্বন্ধ আছে। পৰমাত্মাই আমাৰ উপাস্য দেৱতা। তেওঁ আমাৰ ভক্তি, পূজা, উপাসনা গ্ৰহণ কৰিছে। তেওঁ আমাৰ পিতা, মাতা, ইষ্ট, সোদৰ, বন্ধু। তেওঁ পাপীৰ পৰিত্ৰাতা, মুক্তিদাতা, ধৰ্ম্মৰ প্ৰৱৰ্ত্তক, সকলোৰে প্ৰভু, মহান পুৰুষ; "মহা প্ৰভুৰ্ব্বৈ পুৰুষঃ সত্ত্বস্য প্ৰৱৰ্ত্তকঃ"। এই পৰমেশ্বৰ কৃষ্ণই সৃষ্টি, স্থিতি আৰু প্ৰলয়কাৰী তিনিজন দেৱতা (Trinity) ব্ৰহ্মা বিষ্ণু শিৱকো ছান্দি আছে। সেইদেখি মহাপুৰুষীয়া বৈষ্ণৱ ভক্তই সেই পৰমেশ্বৰ কেশৱক স্তুতি কৰি গায়—

ক ঈ শ জানিবা ব্ৰহ্মা বিষ্ণু মহেশ্বৰ
প্ৰতি প্ৰতি তিনিৰে অন্বয়।
ৱ পদে নাৰায়ণ তিনিকো আছয় ছান্দি,
এহি হেতু কেশৱ বোলয় ॥

ভগৱান শ্ৰীকৃষ্ণই কৈছে এই ত্ৰিগুণাত্মিকা পৰা প্ৰকৃতি মোৰ মায়া। মই যোগমায়াৰ দ্বাৰায় প্ৰচ্ছন্ন হৈ আছো, সকলোৰ আগত প্ৰকাশমান নহওঁ। এই নিমিত্তে মূঢ়সকলে মোক জন্মহীন আৰু অব্যয় বুলি নেজানে।

শঙ্কৰ-মাধৱৰ প্ৰচাৰিত ধৰ্ম্মইও কয়—প্ৰকৃতি-পুৰুষেই চৰম তত্ত্ব নহয়। তেওঁলোকৰো নিয়ন্তা মাধৱ ঈশ্বৰ আছে—

প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ ॥—ঘোষা।

বেদান্তৰ জীৱ ব্ৰহ্ম একীভূত হোৱা কথা আৰু জীৱ মুক্ত হৈ নিৰ্গুণ ব্ৰহ্মত স্থিতি লাভ কৰা কথাই সগুণ পুৰুষোত্তমক উপাসনা ভজনা কৰা মহাপুৰুষীয়াক নাটে। জীৱই শুদ্ধ হৈ ব্ৰহ্মত্ব লাভ কৰে।

কৃষ্ণকেসে মাত্ৰ ভজে যিটো জনে
অব্যভিচাৰী ভকতি।
তিনি গুণ অতি- ক্ৰমি ব্ৰহ্মৰূপ
পাৱে সিটো মহামতি ॥

এনে নিৰ্গুণ ব্ৰহ্মৰূপ পাই মুক্ত হৈয়ো মহাপুৰুষীয়া ভকতি স্থিৰ থাকিব নোৱাৰে। তেওঁ তাতে সন্তুষ্ট নহয়। তেওঁ সেই অৱস্থাও অতিক্ৰম কৰি ক্ষৰাক্ষৰৰ অতীত সগুণ ঈশ্বৰৰ গুণ নাম শ্ৰৱন কীৰ্ত্তন কৰি, ঈশ্বৰৰ চৰণত শৰণ লৈ, ভজনা ভক্তি কৰি, সন্তোষ-অমৃত জলেৰে ভৰা হৰিভক্তি-সৰোবৰত ফুলি থকা কৃষ্ণপাদপদ্ম সেৱা কৰিহে সন্তুষ্ট হয়।

হৰিভক্তি-সৰোবৰে সন্তোষ-অমৃত-জলে
কৃষ্ণ-পাদপদ্ম প্ৰকাশয় ।
ৰাম-নাম-ৰাজহংস ছানিয়া আৱাৰ কৰে
শুনি আতি সন্তোষ মিলয় ॥ —ঘোষা

সেইদেখি শঙ্কৰদেৱৰ ধৰ্ম্মই ধৰা একান্ত বৈষ্ণৱ ভকত, নিৰ্গুণ ব্ৰহ্মত স্থিতি লভ্য "মুক্তিত নিস্পৃহ"। মহাপুৰুষীয়া বৈষ্ণৱ হোলংগোজ ভকত। তেওঁ একে আষাৰতে কৈ থয়—"তোমাৰ বেদ বেদান্তই কোৱা প্ৰকৃতি আমাক নেলাগে, আমি তাৰ ভু নেপাওঁ আৰু নলওঁ। আমি তোমাৰ সাংখ্য পাতঞ্জল একো বুজ নেপাওঁ আৰু তাৰ বুজো নলওঁ। আমি ভু পাওঁ ঈশ্বৰক, এজন Personal God-অক, All-Pervading Deity -ক, যি আমাৰ পিতা, সুহৃদ, ৰক্ষাকৰ্ত্তা, আৰু প্ৰভু। আমাৰ ambition (উচ্চ আশা) সেইজনৰ দাসৰো দাস হৈ থাকিবৰহে। তেওঁক সেৱাভক্তি কৰি, তেওঁৰ নামগুণ লৈ থাকিবলৈ পালেই আৰু আমাক তোমাৰ স্বৰ্গ, ব্ৰহ্মপদ, মুক্তি একোকে নেলাগে। আমাক তোমাৰ সুখো নেলাগে, দুখো নেলাগে, বিষয়-সম্পত্তি ঐশ্বৰ্য্য-বিভূতিও নেলাগে। আমাক লাগে মাত্ৰ আমাৰ পুৰুষোত্তম পৰমেশ্বৰৰ গুণনাম কৰ্ণ ভৰি শ্ৰৱণ কৰিবলৈ আৰু মুখ ভৰি লবলৈ।"

এই ভাবৰ দ্বাৰাই পৰিচালিত হৈহে, নিৰ্গুণ ব্ৰহ্মত স্থিত মুক্ত শুকদেৱে পৰীক্ষিতক কৈছিল—

পৰিনিষ্ঠিতোঽপি নৈৰ্গুণ্যে উত্তমঃশ্লোকলীলয়া ।
গৃহীতচেতা ৰাজৰ্ষে আখ্যানং যদধীতৱান ।

শুক নিগদতি পৰীক্ষিত যদি আমি নিৰ্গুণত স্থিত
তথাপি উত্তম শ্লোকৰ মহিমা গুণে।
কৰিলেক মোৰ বশ্য চিত্ত ভাগৱত গ্ৰন্থ বিপৰীত
পৰম আনন্দে পঢ়িলো মই আপুনে ॥
—ঘোষা

এই কাৰণেহে সনক সনন্দ নাৰদ আদিয়ে ব্ৰহ্মলাভ কৰি মুক্ত হৈও হৰিভকতৰ সঙ্গ বিচাৰি কৃষ্ণকথা শুনি ফুৰে, কৃষ্ণগুণ কীৰ্ত্তন কৰি ফুৰে। এই কাৰণেহে ঘোষাই কয়—

ঐকান্তিক মহামুনি যত নিবৰ্ত্তিয়া বিধি-নিষেধত
নিৰ্গুণ ভাৱত স্থিতি হুয়া নিৰন্তৰে।
জানি পুৰুষাৰ্থ সাৰতত্ত্ব কৃষ্ণ-কথামৃত-সাগৰত
কণ্ঠান-মথনে সদায় ৰমণ কৰে ॥

প্ৰায়েণ মুনয়ো ৰাজন্ নিবৃত্তা বিধিসেধতঃ ।
নৈৰ্গুণ্যস্থা ৰমন্তে স্ম গুণানুকথনে হৰেঃ ॥

পাতঞ্জলৰ সমাধিৰ উচ্চ অঙ্গ নিৰ্বীজ সমাধি আৰু সাংখ্যৰ কৈৱল্য একে বুলিয়েই ওপৰত কৈছো। পাতঞ্জলৰ মতে জানিবা সাধন বা অভ্যাসৰ দ্বাৰায় চিত্তবৃত্তি নিৰোধত কৃতকাৰ্য্য হলো, কিন্তু ভজনাৰ দ্বাৰায় যদি ভক্তবৎসল ভগবানৰ প্ৰেমামৃত ৰসপান নকৰিলো, তেন্তে সেই সাধনাৰ ফল কি? চিত্তক বশীভূত কৰাওঁ কিহৰ নিমিত্তে? কিন্তু গীতাই কোৱা যোগ পৰমাত্মাৰে সৈতে আত্মাৰ যোগ। জ্ঞানেৰে, প্ৰেমেৰে, কৰ্ম্মেৰে, ভক্তিৰে পৰমাত্মা পৰমেশ্বৰৰ সৈতে সম্পূৰ্ণৰূপে মিলি যোৱাই হৈছে গীতাৰ অধ্যাত্মযোগ। সাংখ্যৰ কৈৱল্য সিদ্ধি কৰি পুৰুষৰ স্বৰূপত অৱস্থান আৰু পাতঞ্জলৰ নিৰ্বীজ সমাধিৰ সাধনৰ দ্বাৰায় প্ৰকৃতিৰপৰা পুৰুষক স্বতন্ত্ৰৰূপে পুৰুষে আপোনাকে আপুনি চিনি ললে আৰু এই অৱস্থাত চিত্তবৃত্তিবোৰ প্ৰকৃতিত বিলীন হৈ গ'ল। পুৰুষ তেতিয়া শুদ্ধ, বুদ্ধ, কেৱলীয়াভাৱে বিৰাজ কৰিলে। কিন্তু তাৰ পিছত? এই যোগ যে পৰমাত্মাৰে সৈতে জীৱাত্মাৰ সংযোগ নহয়, প্ৰকৃতি-পুৰুষৰ পাৰ্থক্য সাধন বা বিয়োগহে। এই কৈৱল্যৰ অৱস্থা অভাৱাত্মক দেখি দুখনিবৃত্তিহে মাথোন হল, তালৈ পূৰ্ণ সুখ পূৰ্ণানন্দ নাহিল। কিন্তু গীতাৰ যোগ অভাৱাত্মক নহয়, ভাৱাত্মক সুখৰ পূৰ্ণমাত্ৰা, অতীন্দ্ৰিয় আত্যান্তিক সুখ। অনাহাৰ প্ৰভৃতি উপায়েৰে শৰীৰক পীড়ণ কৰা যোগ অভ্যাস গীতাৰ পথ নহয়। গীতাই তেনেকৈ শৰীৰক কষ্ট দিয়া সন্যাসী বা যোগীক বৰং আসুৰিক প্ৰকৃতিৰ মানুহহে বোলে। গীতাৰ যোগৰ পথ মধ্য-পথ। গৃহী সন্যাসী সকলোৰে এই যোগ সাধ্যায়ত্ত।

কৰ্শয়ন্তঃ শৰীৰস্থং ভূতগ্ৰামমচেতসঃ ।
মাঞ্চৈৱান্তঃশৰীৰস্থং তান্ বিদ্ধ্যাসুৰনিশ্চয়ান্ ।

এনেকৈ দম্ভ অহঙ্কাৰেৰে স্ফীত হৈ অনশন ব্ৰতাচাৰেৰে শৰীৰ শোষণ কৰেঁতাই অন্তৰস্থ মোকো নিৰ্য্যাতন কৰে বুলি ভগৱানে গীতাত স্পষ্টকৈ কৈছে। আমাৰ শঙ্কৰদেৱ, মাধৱদেৱৰ ধৰ্ম্ম শিক্ষাও সেয়েহে। তেওঁলোকেও পৰমাত্মা পৰমেশ্বৰেৰে সৈতে জীৱাত্মাৰ যোগাকাঙ্ক্ষী, কিন্তু শৰীৰক কষ্ট দি, অন্তৰস্থ আত্মাকো তাৰ দ্বাৰাই নিৰ্য্যাতন কৰি যোগ বিচৰা সন্ন্যাসী যোগী আদিৰ পথক তেওঁলোকে অনুমোদনৰ চকুৰে কেতিয়াও নেচায়। সন্ন্যাস অৱলম্বন কৰেঁতাসকলৰ পথ সেই দেখি তেওঁলোকৰ অনুমোদিত নহয় আৰু সেইদেখি তেনে ধৰ্ম্মপ্ৰচাৰৰ প্ৰণালী তেওঁলোকে অসৰত লোমাৰ নিচিনাকৈ বাখিছিল। ব্ৰত উপবাস আদি সেই বাবে তেওঁলোকে তেওঁলোকৰ ধৰ্ম্মৰ পথৰপৰা আঁতৰাই

কৈছিল । অদ্বৈতবাদী সন্ন্যাসী বা যোগী ফকিৰৰ বাটলৈ সেইদেখি তেওঁলোকে তেওঁলোকৰ ভকত চাল লব নিদিছিল । তেওঁলোকে সেইদেখি সকলোকে নিজৰ গৃহত থাকি, আসনতে থাকি সুখেৰে হৰিগুণ শ্ৰৱণ-কীৰ্ত্তন কৰিবলৈ বাৰে বাৰে উপদেশ দিছিল । এই উপদেশ কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলীৰ পাতে পাতে ।

দেৱৰ দুৰ্ল্লভ ইহেন জন্মক
বৃথা কৰা কোন কামে ।
গৃহতে থাকিয়া হৰিক স্মৰিয়া
মোক্ষ সাধা হৰি নামে ॥—কীৰ্ত্তন ।

হেন বেদ-বাণী তত্ত্ব হেন জানি
আসনতে সুখে থাকি ।
আপোনাক তাৰা পুৰুষ উদ্ধাৰা
হৰি হৰি বোলা ডাকি ॥—কীৰ্ত্তন ।

এনে নিৰ্ম্মল বিশুদ্ধ বিশ্বজনীন ধৰ্ম্ম শঙ্কৰ-মাধৱৰ । সোণ এশবাৰ জুইত পুৰি ললে তাৰ বৰণ উজ্জল হোৱাদি এই ধৰ্ম্ম বিচাৰ, বাদ আৰু আলোচনাৰ অগ্নিত পুৰি উঘলহে হৈ ওলায় । দুখৰ কথা যে এনে ধৰ্ম্মক অজ্ঞজনে সাম্প্ৰদায়িক ধৰ্ম্ম বোলে !! এনে ধৰ্ম্ম হাততে থাকোঁতে অসমীয়াই বিদেশত ধৰ্ম্ম বিচাৰি হাবাথুৰি খাই মৰে !! হাততে থকা বস্তুক নিচিনি অসমীয়াই ভৰিৰে ঠেলি পেলাই লোকৰ ছাই-মাকটি বিচাৰি ফুৰে !! হায় ! আমাৰ কি অধঃপতন । গোহালিৰ গৰুৰে বাৰীৰ ঘাঁহৰ বাহি নাহে বুলি বুঢ়া-লোকে কৈ গৈছে । তেনে অৱস্থা এতিয়া আমাৰ হৈছে । মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ বিমল মহান্ উদাৰ ধৰ্ম্মৰ পানীৰে আমাৰ দেশ গোটেইখন বুৰি আছে অথচ আমি লোকৰ নাদ-পুখুৰী বিচাৰি চলাথ কৰিছো । গীতাত কৈছে—

যাৱানাৰ্থ উদপানে সৰ্বতঃ সংপ্লুতোদকে ।

অৰ্থাৎ "সকলো ঠাই জলপ্লাৱিত হলে যৰত বহিও পানী পোৱা যায় যেতিয়া, নদী কূপাদিলৈ যাবৰ সকাম নাই ।" কিন্তু আমি হলে এনে অৱস্থাতো পানীৰ নিমিত্তে লোকৰ নাদ-পুখুৰী বিচাৰি হাবাথুৰি খাই ফুৰিছো । অসমীয়া মাছ পানীত থাকিও পিয়াহত মৰে । ভক্ত কবীৰাই ঠিক কৈছিল—

পানী মে মীন পিয়াসী ৰে ।
লোক সুনত সুনত লাগত হাসি ৰে ॥

এতেকে হে অসমীয়া ! তুমি তোমাৰ বৃথা-গৰ্ব্ব নিদ্ৰা অহঙ্কাৰ পৰিত্যাগ কৰি নিজৰ দেশৰ নিচেই আপোনাৰ অমূল্য মহাৰত্ন দলিয়াই পেলাই ভাৱ তিনিও খাদি লৈ ভক্তিভাৱেৰে গোৱা—

পৰম কৃপালু শ্ৰীমন্ত শঙ্কৰে
লোকক কৰিলা দায়া ।
হৰিৰ নিৰ্ম্মল ভকতি প্ৰকাশ
কৰিলা শাস্ত্ৰক চায়া ॥

তিনি

ওঁ যো দেৱোহগ্নৌ যোহপ্সু যো বিশ্বং ভুৱনমাৱিৱেশ ।
য ওষধিষু যো ৱনস্পতিষু তস্মৈ দেৱায় নমো নমঃ ॥

উপনিষদ আৰু ঈশ্বৰ প্ৰতিপাদক দৰ্শনে ঈশ্বৰৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ দুটা বাট অৱলম্বন কৰে,—অন্বয় আৰু ব্যতিৰেক । এই দুটা বাটৰ যাত্ৰী মূলত দুভাগ—এভাগে এটা বাটেদি, আন ভাগে সিটো বাটেদি যাত্ৰা কৰে, কিন্তু দুই ভাগৰে উদ্দেশ্য একে,-ঈশ্বৰপ্ৰাপ্তি বা ঈশ্বৰৰ স্বৰূপ নিৰ্ণয় । দুই দলৰে বাট লৈহে মতান্তৰ আৰু দন্দ খৰিয়াল, উদ্দেশ্য লৈ নহয় । অন্বয় বাটেদি যোৱাসকলে কয়—এক ঈশ্বৰেই সৰ্ব্ব-ব্যাপক হৈ আছে, গোটেই বিশ্বব্ৰহ্মাণ্ডই ঈশ্বৰ । পশু-পক্ষী, জল-আকাশ, পৃথিৱী সকলো পদাৰ্থতে সকলোতে ঈশ্বৰ অনুপ্ৰৱিষ্ট হৈ আছে । তুমি ঈশ্বৰ, মই ঈশ্বৰ, তেওঁ ঈশ্বৰ, গোটেই জগৎ বিশ্বব্ৰহ্মাণ্ড ঈশ্বৰ । ব্যতিৰেক বাটেদি যোৱাসকলৰ মূলমন্ত্ৰ "নেতি" "নেতি" অৰ্থাৎ ঈশ্বৰ এইটো নহয়, সেইটো নহয়, এনে নহয়, তেনে নহয়, স্থূল নহয়, অণু নহয়, হ্ৰস্ব নহয়, দীৰ্ঘ নহয়, ইত্যাদি ইত্যাদি । দুই বাটৰ বাট-কৰাই নিজৰ নিজৰ মত, দৰ্শন আৰু তৰ্কশাস্ত্ৰৰ অকাট্য যুক্তিৰে প্ৰমাণ কৰে । কিন্তু স্বৰূপাৰ্থত এই দুই বাটৰ বাটৰুৱাৰ কোনো মতেই চূড়ান্ত মত নহয় । কাৰণ অকলশৰীয়াকৈ প্ৰত্যেকটো মতেই অসম্পূৰ্ণ, কিন্তু দুয়ো মিলি হলে সম্পূৰ্ণ । ঈশ্বৰ সৰ্ব্বব্যাপক আৰু সকলো, আৰু সকলো নহয়ও । ঈশ্বৰক সৰ্ব্ব-ব্যাপক আৰু সকলো বুলিলে, তেওঁৰ বাহিৰে আন একো নাই বুলিলে তেৱেঁইহে সকলো হৈ থাকে, আনলৈ অৰ্থাৎ তেওঁৰপৰা সৃষ্ট পদাৰ্থলৈ আৰু সৃষ্ট পদাৰ্থৰ কোনো কাৰ্য্যলৈ ঠাই নেথাকে । তেতিয়া কৰ্ত্তব্য আৰু দায়িত্ব, সৃষ্টিকৰ্ত্তা আৰু সৃষ্টি এইবোৰ একেবাৰেই মিলি একেটা হৈ যায় । কাৰণ এনে হবই লাগিব নহলে জগৎ ব্ৰহ্ম অৰ্থাৎ ঈশ্বৰৰ সৰ্ব্ব-ভূতময় যাব,—যিটো অসম্ভৱ । আন ফালে ঈশ্বৰ এইটো নহয়, সেইটো নহয় হলে ঈশ্বৰ সীমাবদ্ধ, খণ্ড হব ; ঈশ্বৰৰ সেইটো conception অসম্ভৱ । এতেকে ঈশ্বৰ সৰ্ব্বজগৎ আৰু সৰ্ব্বময় । এটা মতে ঈশ্বৰক সকলো অৰ্থাৎ ঈশ্বৰৰ বাহিৰে আন একো নাই কৰে, আনটোৱে ঈশ্বৰক খণ্ড, সীমাবদ্ধ কৰে । তৰ্কশাস্ত্ৰ, যুক্তি আৰু দৰ্শন শাস্ত্ৰমতে দুইটা যোৱাটো অসম্ভৱ অৱস্থা । "ক" "খ" নহয়, "খ" ও "ক"

নহয়। 'ক' যদি 'খ' হয়, তেন্তে 'খ'ও 'ক' হ'ব আৰু 'ক' যদি 'খ' নহয় 'খ'ও 'ক' নহয়। "নাই"ত "আছে" হ'ব নোৱাৰে, "আছে"ত "নাই" হ'ব নোৱাৰে কিন্তু ঈশ্বৰ "ক"ও, "খ"ও, অথচ "ক" "খ" নহয়, "খ" "ক" নহয়। ঈশ্বৰ "আছে"তো "নাই", "নাই"তো "আছে"। এইদেখি আমাৰ তৰ্ক-যুক্তি দৰ্শনৰ সহায় লৈ ঈশ্বৰক পাব নোৱাৰি বুলি জ্ঞানী সাধুৱে কৈছে—যতো ৱাচো নিৱৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ।

> যিটো ব্ৰহ্ম মোহে তৰ্কগোচৰ।
> নপাৱে বচনে মনে ওচৰ ॥—শঙ্কৰদেৱ।

তেন্তে আমি দেখিলো যে আমাৰ জ্ঞান-ইন্দ্ৰিয় যি আছে তাৰে ঈশ্বৰক জানিব নোৱাৰি, ঈশ্বৰ তাৰ অগোচৰ। তেওঁক জানিবলৈ transcendental logic লাগে যি logic আমাৰ উদ্ভাৱিত logic শাস্ত্ৰৰ ওপৰত। এই logic এ 'ক'কো 'খ' বোলে 'খ'কো 'ক' বোলে, আৰু "আছে"ত নাই প্ৰমাণ কৰে "নাইত" আছে প্ৰমাণ কৰে। ঈশ্বৰক জানিবলৈ super-sense (অতীন্দ্ৰিয়) লাগে। সেই sense হৈছে আত্মানুভূতি (intention):—সাধকসকলে তাৰেহে তেওঁক জানিছিল, আমিও সকলোৱে তাৰেহে তেওঁক যি অলপ জানিব পাৰিছো আৰু পাৰোঁ। এই super-sense আমাৰ সকলোৰে আছে কিন্তু আমি ভাবি নেচাইহে তাক ভালকৈ নেদেখোঁ। উদাহৰণস্বৰূপে দেখা যাওক,—মই মোৰ এই হাতৰ কাপটো (যিটোৰে এই প্ৰবন্ধ লেখিব লাগিছো) দেখিছো, জানিছো। মই কিন্তু কাপটো নহওঁ, কাপটোও মই নহয়। দুয়ো স্বকীয়া। কিন্তু মই কাপটো জনা মানে কাপৰ ingredient material আৰু composition অৰ্থাৎ গঠনৰ সকলোবোৰ পদাৰ্থ আৰু সজুলি মোৰ ভিতৰত আছে, যিবোৰৰ প্ৰতিবিম্ব বা ছাঁ মই কাপটোত দেখিছোঁ। যদি মোৰ ভিতৰত সেইবোৰ নথাকিলহেঁতেন, কাপটোৰ প্ৰতিবিম্ব মোত আৰু মোৰ ভিতৰত থকা কাপৰ নিচিনা ingredient বস্তু বা বস্তুবোৰৰ প্ৰতিবিম্ব মই কেতিয়াও নেদেখিলোহেঁতেন। মই যেতিয়া মৰিম অৰ্থাৎ কাপত থকাৰ নিচিনা বস্তু যেতিয়া মোৰ ভিতৰৰ পৰা যাব বা নাইকিয়া হ'ব, তেতিয়া আৰু মই কাপটো নেদেখোঁ। যি বস্তু যাৰ ভিতৰত নাই, সেই বস্তুৰ প্ৰতিবিম্ব বাহিৰৰ তেনে বস্তুৰ ওপৰত নপৰে বা পৰিব নোৱাৰে অথবা বাহিৰৰ সেই বস্তু মোৰ ভিতৰত প্ৰতিভাত নহয়, সেই বস্তু মোৰ আগতে থাকিলেও। অনেক ভাল বিজ্ঞ বুদ্ধিমান লোকক দেখা গৈছে যে তেওঁলোকে সঙ্গীত appreciate কৰিব অৰ্থাৎ বুজিব নোৱাৰে, কবিতা বুজিব বা তাৰ মৰ্ম্ম আৰু সূক্ষ্ম সৌন্দৰ্য্য হৃদয়ঙ্গম কৰিব নোৱাৰে। ইয়াৰ কাৰণ কি? তাৰ কাৰণ এয়ে, যে সেইজনৰ ভিতৰত সঙ্গীত বা কবিতাৰ ingredient বস্তু নাই বা ইমান অপৰিস্ফুট অৱস্থাত আছে, যে তাত এই বাহিৰৰ সঙ্গীত আৰু কবিতা প্ৰতিভাত বা প্ৰতিফলিত নহয় বা ভালকৈ নহয়। মানুহৰ অন্তৰত যি আছে সিহে বাহিৰত আছে, অন্তৰত যি নাই বিশ্বব্ৰহ্মাণ্ডতো তেওঁলৈ সি নাই। এই দেখি কথাতে কয় "যি নাই ঘটত, সি নাই বিশ্বব্ৰহ্মাণ্ডত।" কবি ৱৰ্ডচ্ৱৰ্থে এটা বনপাত লৈ তাকে চাই তাৰে ভাবত মজিছিল। তেনে বনপাত তুমিও দেখিছা, ময়ো দেখিছো, কিন্তু আমাৰ মনত সি তেনে ভাবোদয় নকৰে কিয়? তাৰ কাৰণ সেই বনপাতত যি ভাবৰ তৰঙ্গ, যি সৌন্দৰ্য্যৰ উৎস, শিল্পচাতুৰ্য্য আছিল, ৱৰ্ডচ্ৱৰ্থৰ মনতো তেনে আছিল, তাত তাৰ প্ৰতিবিম্ব পৰিলতে সি সমূৰ্ত্তক হৈ উঠিল। চৈতন্যদেৱে নীল সমুদ্ৰ দেখি তাকে নীল যমুনা বুলি উন্মত্ত হৈ উঠিছিল কিয়? তুমি আমি নহওঁ কিয়? কাৰণ তেওঁৰ অন্তৰ বৃন্দাবনৰ কৃষ্ণলীলাৰে জাগ্ৰত আৰু বিকশিত আছিল। কোনো মানুহ স্বভাৱতে সৰুৰে পৰা ঈশ্বৰবিশ্বাসী আৰু ঈশ্বৰত ভক্তিমান হয়, কোনো নহয়। ইয়াৰ কাৰণ অন্তৰৰ ingredient বস্তুৰ গঠন, প্ৰাচুৰ্য্য অপ্ৰাচুৰ্য্যৰ তাৰতম্য অনুসাৰে হয়, অৱশ্যে heredity-ৰ অৰ্থাৎ পিতৃ-পিতামহক্ৰমত পোৱা বস্তু আৰু ক্ষমতাৰ হাত নিশ্চয় অনেক পৰিমাণে তাত আছে। কাপ জড় কিন্তু মই চেতনাপূৰ্ণ। ইয়াতে বুজা গ'ল যে জড় আৰু চেতনা দুয়ো একেবাৰেই বিভক্ত বস্তু নহয়, জড়তে চেতনা অনুপ্ৰবিষ্ট, চেতনাতে জড়। সেইদেখি ঈশ্বৰ সৰ্ব্বভূতত সৰ্ব্বপদাৰ্থত। জগৎ সেইদেখি ব্ৰহ্ম বা ব্ৰহ্মময়। কিন্তু আন পিনে চৈতন্যও স্বকীয়া, জড়ও স্বকীয়া। এতিয়া তেন্তে দেখা গ'ল, ময়ো কাপ, কাপো মই। এইটো চৈতন্য আৰু জড় পদাৰ্থৰ সম্বন্ধ। জড় আৰু জড়ৰ সম্বন্ধ laboratory-ৰ ৰসায়ন শাস্ত্ৰৰ প্ৰক্ৰিয়াই আৰু আমাৰ খোৱাবোৱা আদি প্ৰচলিত কাৰ্য্যত ঘৰুৱা ৰসায়ন শাস্ত্ৰৰ প্ৰক্ৰিয়াই আমাক দিনৌ সততে দেখুৱাবই লাগিছে। মই আৰু মোৰ ঘৰৰ আগৰ আম গছ আৰু কঁঠাল গছ জোপাৰে সম্পৰ্ক চোৱা। মই প্ৰথমতে আমজোপা দেখিলো, তাৰ মানে, মই মোৰপৰা ওলাই গৈ আমজোপা পালোগৈ, পাই আমজোপাৰ গঢ়গতিৰ ভু ততালিকে লৈ আহি মোৰ ভিতৰত থকা আমগছৰ নিচিনা পদাৰ্থৰ আগত দিলোহি। তাত দুয়োবো সন্মিলন ঘটিল আৰু বাহিৰৰ আমজোপা তাত প্ৰতিবিম্বিত হ'ল। মই আকৌ ওলাই গলো বাহিৰৰ আমলৈ, আকৌ আহিলো ভিতৰৰ আমলৈ। এই যোৱা অহা বৃত্ত মই নিৰৱচ্ছিন্নৰূপে কৰিবলৈ ধৰিলো। যিমানবেলি আমজোপা মোৰ আগত থিয়াই বেলি অলেখ বাৰ এই ঘূৰণীয়া বৃত্তত মই ঘূৰিলোঁ। কঁঠালজোপাৰে লৈয়েও মোৰ তেনে কাৰ্য্য চলিল, [illegible]

সবমতে নহয়। আমৰ আকৃতি প্ৰকৃতি মই লৈ গৈ কঠালত মিলালো বিজালো মিলাই-বিজাই কঠালৰ-পৰা মোলৈ আনিলো। মোৰপৰা কঠাললৈ নিলো গলো। তাৰ পৰা আমলৈ আনিলো আছিলো। এইদৰে মই, আম আৰু কঠাল গছ মণ্ডলাকাৰে নিজৰ নিজৰ গমন লৈ পৰস্পৰেৰে সৈতে মিলি আত্মীয়তা কৰি চাকত ঘূৰিলো। অথচ আমি তিনিউ স্বকীয়া। আমাৰ তৰ্কশাস্ত্ৰমতে হলে মই আমো হ'ব নোৱাৰো কঠালো হ'ব নোৱাৰো। কঠালো আম হ'ব নোৱাৰে। আমো কঠাল হ'ব নোৱাৰে। কিন্তু transcendental logic মতে আমি দেখিলো যে মইও আম মইও কঠাল কঠালো আম আমো কঠাল। শ্ৰীমদ্ভাগৱতত লিখা—সেই শুকদেৱে জন্মৰ পিছত বাপেকৰ এৰি গুচি যাওঁতে, বাপেক ব্যাসে 'হে পুত্ৰ! হে পুত্ৰ!" বুলি মতাত বাটৰ দুই কাষৰ গছে পিতা 'পিতা" বোলা কথাৰ মানে এই কথা বুজিলে ওলায়। "পুত্ৰেতি তন্ময়তয়া তৰৱো ৰদন্তি"

আমি ঈশ্বৰ, ঈশ্বৰ আমাৰ ভিতৰত আছে, জগতৰ সকলোৰে ভিতৰত ঈশ্বৰ আছে, সেইদেখি আমিও সকলোতে আছো, এনে সিদ্ধান্তলৈ ইয়াৰ পিছত যাবলৈ আৰু টান নহব। কিন্তু তথাপি আমি কাৰ্য্যত দেখিছো আৰু আমাৰ জীৱনৰ সকলো অৱস্থা সকলো কামতে দেখিছো যে যদিও আমি পৃথিৱীৰ জীৱ আৰু জড় জন্তু দেখিছো সেইবোৰ সকলোবোৰেই আমি, সকলোবোৰতে আমি আছো, তথাপি আমি ঈশ্বৰ নহও, আমি স্বকীয়া এটা এটা গাইগোটা। ৰজা মৰেই, মৰেই তেৰেঁা, মৰেই সেইজনো, মৰেই ধনী বামন, মণি মেখিও মৰেই, আমগছ কঠালগছ মৰেই যদিও কিন্তু সেইবোৰ মই নহয় আৰু সেইবোৰো মই নহওঁ। সেইবোৰে খালে মোৰ ভোক নুগুচে, সেইবোৰে খং কৰিলে মোৰ খং নুঠে, সেইসকলে টান পালে মই টান নেপাওঁ আৰু মোৰ পেটত চাহপানী এটোপা নিদি, আমগছজোপা আৰু কঠালগছ জোপাৰ গুৰিত মলীয়াই পানী দিলে মোৰ মুখলৈ জীপ নাহি হাবি-হেকটিহে আহে। ইয়াৰ দ্বাৰাই কি প্ৰমাণ হয়? এইটোৱেই নহয় নে যে ঈশ্বৰ যেনেকৈ বিশ্বব্ৰহ্মাণ্ডৰ সকলো, সকলোতে যেনেকৈ তেওঁ ব্যাপি আছে, তেনেকৈ তেওঁ স্বকীয়াও। আমি ৰাজহুৱা যদিও, স্বকীয়া নহলে যেনেকৈ আমাৰ জীৱনযাত্ৰা নচলে, ঈশ্বৰো সেইদৰে সৰ্ব্বব্যাপক সকলো আৰু বিশ্ব-ব্ৰহ্মাণ্ডময় যদিও, তথাপি তেওঁ মাখোন তেনেকুৱা হৈ থাকিলে আমালৈ অৰ্থাৎ মানুহলৈ কাম নচলে। pantheist বা "সৰ্ব্বং ব্ৰহ্মময়ং জগৎ" যেনে সচাঁ, উপনিষদৰ abstraction "নেতি" "নেতি" ব্ৰহ্মও তেনে সচাঁ। সৰ্ব্বং ব্ৰহ্মময়ং জগৎ (conception) ধাৰণা ঈশ্বৰৰ মহিমা উপলব্ধি কৰাৰ বাহিৰে আমাৰ জীৱনৰ কোনো কামত নেলাগে। কিন্তু আনটি ধাৰণাই চলে আমাক ২৪ ঘণ্টা কাম দিয়ে। তেতিয়া আমি এক ঈশ্বৰক স্বকীয়াভাৱে, উপাসনা, ভক্তি প্ৰাৰ্থনা কৰিবলৈ, তেওঁৰ মহিমা কীৰ্ত্তন কৰিবলৈ, তেওঁৰ ভক্ত দাস ইত্যাদি ভাৱে তেওঁৰ সেৱা কৰি আত্মপ্ৰসাদ আৰু সন্তোষ লভিবলৈ পাওঁ। জগতক ব্ৰহ্ম বুলি ভাবিলে (যদিও সেইটো ঠিক ভাবেই) আমি এইবোৰ একো নেপাওঁ। আমি পিয়াহত পানী খাবলৈ গৈ নৈৰ মাজত জপিয়াই পৰিলে তাত বুৰিহে মৰিম, পিয়াহ গুচাব নোৱাৰোঁ, কিন্তু তাৰপৰা এচলু বা এবাটি পানী আনি খালেহে আমাৰ পিয়াহ গুচিব। ঈশ্বৰৰ অভিপ্ৰায়ো যে সেইটোৱেই অৰ্থাৎ তেওঁক আন স্বকীয়াকৈ এক ঈশ্বৰ বুলি আমি সেৱা-ভজনা কৰিব লাগে—সৰ্ব্বজগতক ঈশ্বৰ বা ব্ৰহ্ম বুলি নহয়, সেইটো আমাক আমাৰ স্বকীয়াত্ব তেওঁ প্ৰদান কৰাতেই স্পষ্ট দেখা গৈছে।

গীতা-তত্ত্ব

এক

ঘোষাত মহাপুৰুষ শ্ৰীমাধৱদেৱে প্ৰাৰ্থনা কৰিছে :

শোক-মোহ-মহাপঙ্ক মাজে অৰ্জ্জুন মগন ভৈল দেখি
পৰম ঈশ্বৰ দৈৱকী-নন্দ-নন্দন।
কৃপাযে ঈশ্বৰে তত্ত্ব কহি উদ্ধাৰিলা নিজ ভকতক
হেন ঈশ্বৰৰ চৰণে লৈলো শৰণ॥

পৰম ঈশ্বৰ দৈৱকী-নন্দ-নন্দনে তেওঁৰ নিজ ভকতৰ আগত যি তত্ত্ব কৈ সেই শৰণাগত ভকতক উদ্ধাৰ কৰিলে সেই তত্ত্ব, তেতিয়াৰ দিনৰ সৰ্ব্বধৰ্ম্ম সমন্বয়, সৰ্ব্বদৰ্শন বিজ্ঞানৰ সমন্বয় আৰু আজিৰো সৰ্ব্বধৰ্ম্মৰ সাৰ পদাৰ্থ গীতাৰ মহোপদেশ তত্ত্ব। সেই তত্ত্ব-কথা শ্ৰীকৃষ্ণই অৰ্জ্জুনক কেতিয়া আৰু ক'ত কৈছিল? কুৰুক্ষেত্ৰৰ যুদ্ধ আৰম্ভ হবৰ জোখাতে, যেতিয়া তেওঁৰ ৰথ দুই পক্ষৰ যুঁজাৰুসকলৰ আগত ৰখা হল। কুৰুক্ষেত্ৰৰ যুদ্ধ হঠাৎ সংঘটিত হোৱা বোলা নাছিল। দুই পক্ষৰ ভিতৰত অনেক কথা-বাৰ্ত্তা, মীমাংসাৰ আলচ, সন্ধিৰ প্ৰস্তাৱ ইত্যাদিৰ যেতিয়া ওৰ পৰিল আৰু অগত্যা যুদ্ধৰ বাটেই এক মাথোন বাট ৰলগৈ, তেতিয়াহে। অৰ্জ্জুন সেই যুদ্ধৰ প্ৰধান অগ্ৰণী আৰু ধাই ধৰণী। অনেক চিন্তা অনেক বিবেচনাৰ পিছতহে অৰ্জ্জুনৰ মনত যুদ্ধৰ কৰ্ত্তব্য দৃঢ় হৈছিল। এনে অৰ্জ্জুনৰ মন হঠাৎ বিচলিত হৈছিল কিয়? তেওঁ কৰ্ত্তব্যৰ পৰা পিচনিছিল কিয়?

কুৰুক্ষেত্ৰৰ যুদ্ধক্ষেত্ৰত শ্ৰীকৃষ্ণৰ শিক্ষাৰ মূল কথা :—

জীৱন-যুদ্ধত উদ্ভূত যাই কথাৰ সমাধান, সেই যাই কথাৰ ভিতৰৰ যাই কথা, জীৱনত কৰ্ত্তব্যৰ বাধ্যতা। অৰ্জ্জুনৰ মন হঠাৎ পাৰ্থিৱ সম্বন্ধৰ মায়া-মোহত অভিভূত হৈ পৰি আছিল, কৰ্ত্তব্যৰপৰা তেওঁৰ ভৰি পিচলি পৰিছিল। কৃষ্ণই অৰ্জ্জুনৰ কৰ্ত্তব্যৰ সাৰথি স্বৰূপে সেই কৰ্ত্তব্যৰ কথা তেওঁক সোঁৱৰাই দিছিল। কাৰণ সেইটো কৃষ্ণৰ কৰ্ত্তব্য নতুবা উপদেশক সাৰথি কৃষ্ণও কৰ্ত্তব্যৰ পৰা পিচলি পৰিলহেঁতেন। দুৰ্য্যোধনক প্ৰমুখ্য কৰি কৌৰৱসকলে পাণ্ডৱক হেজাৰ প্ৰকাৰে অন্যায় আৰু অনিষ্ট কৰিছিল। ৰাজ্যৰ ৰাজ-পাটৰ প্ৰকৃত অধিকাৰী যুধিষ্ঠিৰক সেই অধিকাৰৰ পৰা বঞ্চিত কৰিছিল। ভ্ৰাতৃবধ আৰু ৰক্তপাতৰ হাত সাৰিবলৈ পাণ্ডৱে সাম্ৰাজ্যৰ সলনি মাথোন শেহত পাঁচখন গাওঁ খুজিছিল, তাকো দুৰ্য্যোধনে নিদিলে। কৃষ্ণই দুইদলক মিলাবলৈ অহোপুৰুষাৰ্থ কৰিছিল আৰু সেই কাৰ্য্যৰ নিমিত্তে মধ্যস্থ হৈ কৌৰৱৰ কাষলৈ গৈছিল। তেওঁৰ কথা শুনক ছাবি কৌৰৱে তেওঁক বন্দী কৰিবলৈহে বিচাৰিছিল। যতুগৃহ দাহ, দ্ৰৌপদীৰ বস্ত্ৰহৰণ, অন্যায় পাশাখেল, বনবাস দিয়া ইত্যাদি নানা অন্যায়-অত্যাচাৰ কৌৰৱে পাণ্ডৱৰ ওপৰত কৰিছিল। শান্তিৰ অৰ্থে সেই আটাইবোৰ অন্যায় কাতি কৈ থৈ যুধিষ্ঠিৰে পাঁচ পাণ্ডৱলৈ পাঁচখন গাওঁ খুজিছিল, তাৰ উত্তৰত দুৰ্য্যোধনে বেজী এটাৰ মূৰত থাকিব পৰা মাটিৰ কণা এটাও নিদিওঁ বুলি ক'লে। এনেবোৰ চেষ্টা বিফল হোৱাৰ পিছত, নিতান্ত বাধ্য হৈ কৰিবলগীয়া যুদ্ধৰ মাজলৈ আহি অৰ্জ্জুনে হঠাৎ যুদ্ধ নকৰোঁ বুলি হাতৰ ধনুশৰ পেলাই দি কৰ্ত্তব্যৰ পৰা পিচলি মনুষ্যত্ব হেৰুৱাবলৈ গৈছিল। এনেস্থলত তেওঁক তেওঁৰ কৰ্ত্তব্য সোঁৱৰাই দিয়াটো ভগৱন্ত কৃষ্ণৰেই কৰ্ত্তব্যকাৰ্য্য। সেইদেখি অৰ্জ্জুনক তেওঁ প্ৰথম দুষাৰ কথাকে টান মাতেৰে কবলৈ বাধ্য হৈছিল।

> কুতস্ত্বা কশ্মলমিদং বিষমে সমুপস্থিতম্।
> অনাৰ্য্যজুষ্টমস্বৰ্গ্যমকীৰ্ত্তিকৰমৰ্জ্জুন ॥
> ক্লৈব্যং মাস্ম গমঃ পাৰ্থ নৈতৎ ত্বয্যুপপদ্যতে।
> ক্ষুদ্ৰং হৃদয়দৌৰ্ব্বল্যং ত্যক্ত্বোত্তিষ্ঠ পৰন্তপ ॥

অৰ্থাৎ হে অৰ্জ্জুন! এনে সঙ্কটৰ সময়ত আৰ্য্য-বিগৰ্হিত, নৰকৰ হেতু অখ্যাতিজনক এই মোহ কৰপৰা আহি তোমাৰ গাত লাগিল? হে পাৰ্থ! ক্লৈব্য অৰ্থাৎ নপুংসকৰদৰে কাতৰতা অৱলম্বন নকৰিবা। এনে ক্লৈব্য তোমাৰ যোগ্য নহয়। এতেকে হৃদয়ৰ তুচ্ছ দৌৰ্ব্বল্য পৰিত্যাগ কৰি যুদ্ধ কৰিবলৈ উঠা।

মানুহ যেতিয়া শোকত মগ্ন হয়, তেতিয়া তাৰ বুদ্ধি স্থিৰ নেথাকে, কৰ্ত্তব্য অকৰ্ত্তব্যৰ বিচাৰ সি কৰিব নোৱাৰে। তাৰ মনত ধন-প্ৰাণ সকলো তুচ্ছাতি-তুচ্ছ যেন লাগে। সেই শোকৰ উৎপত্তি ক'ত? শোক হয় কিয়? অৰ্জ্জুনে আত্মীয়সকলৰ মৃত্যু অনি-বাৰ্য্য ভাবিলে। তুচ্ছ ৰাজ্যলোভত সেই সকলৰ মৃত্যু অনুচিত বিবেচনা কৰিলে। আত্মীয়সকলক দেখি তেওঁৰ হৃদয়ত মমত্বৰ সঞ্চাৰ হ'ল। শোকে তেওঁৰ হিতাহিত বিবেচনা, ধৰ্ম্মাধৰ্ম্ম বিচাৰ কৰিবৰ বিবে-চনাক ঢাকি পেলালে। মমত্বই শোকৰ কাৰণ। অবিদ্যা অৰ্থাৎ অজ্ঞানতাৰ পৰাই মমত্বৰ উদ্ভৱ। কোনো বস্তু বা কোনো মানুহলৈ যিমান সৰহ মমতা থাকে তাৰ অভাৱত বা অভাৱৰ আশঙ্কাত সিমান শোক উৎপন্ন হয়। অবিদ্যাই জ্ঞানক আবৃত কৰি পেলায়। জড় শৰীৰত আত্মজ্ঞান কৰাই অবিদ্যা। দেহৰ বিনাশত অৰ্জ্জুনে আত্মীয়সকলৰ বিনাশ বুলি ভাবিলে। এনে জ্ঞান জীৱৰ স্বাভাৱিক। দেহাত্ম-জ্ঞানৰ নিমিত্তে জীৱই অহঙ্কাৰক আশ্ৰয় কৰি কৰ্ত্তাৰূপে কৰ্ম্ম কৰে আৰু দেহৰ বিনাশতে আত্মাৰ বিনাশ বুলি ভাবে। সেই বাবেই ভগৱন্তই যাতে অৰ্জ্জুনৰ অবিদ্যা নাশ হৈ মনত জ্ঞানৰ উদয় হয় আৰু বিনাশী জড় দেহৰ মমতা গুচি আৰু তেনে দেহৰ অভাৱৰ নিমিত্তে উৎপন্ন হোৱা শোকমোহ আদি দূৰ হৈ স্বধৰ্ম্মোচিত কৰ্ত্তব্য কৰ্ম্ম নিলিপ্তভাৱে তেওঁ কৰিব পাৰে, তাৰে উপদেশ গীতাত দিছিল। আমাৰ মহা-পুৰুষে ঘোষাতো গদগদ কণ্ঠেৰে এই কাতৰ প্ৰাৰ্থনাকে কৰিছে :—

> তুমি প্ৰাণপ্ৰিয়তম সুহৃদ পৰম দেৱ,
> প্ৰাণপ্ৰভু পীতাম্বৰ এ,
> তুমিসে কেৱলে আত্মা মোৰ।
> তোমাক নাজানি জড় মিছা শৰীৰক মই
> প্ৰাণপ্ৰভু পীতাম্বৰ এ,
> আত্মা বুলি ভৈলো সেৱাচোৰ,
> প্ৰাণবন্ধু কিনো মই অজ্ঞানী দুৰ্ঘোৰ।
> দুৰ্ব্বাৰ দুঃসঙ্গ দুৰ্ব্বাসনা দুষ্ট,
> হৰি হৰি হৰি হৰি এ,
> অনাদি অবিদ্যা আপুনি ভৈলো মোহিত।
> অনাত্মা দেহক আত্মা বুদ্ধি কৰি
> হৰি হৰি হৰি হৰি এ,
> সেৱা পৰিহৰি সি সুখে ভৈলো বঞ্চিত।

ঈশ্বৰপ্ৰাপ্তিৰ চাৰিটা যাই বাট। জ্ঞান-মাৰ্গ, কৰ্ম্ম-মাৰ্গ, যোগ-মাৰ্গ আৰু ভক্তি-মাৰ্গ। যদিও এই চাৰিটা বাট সুকীয়া তথাপি চাৰিওটাৰে মুখ্য লক্ষ্য একেটা অৰ্থাৎ ঈশ্বৰপ্ৰাপ্তি বা মুক্তি। প্ৰথমটো বাট কৰ্ম্ম। মানুহ প্ৰথমতে কৰ্ম্মত প্ৰবৃত্ত হয় সাংসাৰিক আৰু ইন্দ্ৰিয় সুখাদি-লাভৰ প্ৰেৰণাত। ইয়াতকৈ উৰ্দ্ধ প্ৰেৰণাত মানুহে কৰ্ম্ম কৰে ইহলোকৰ সুখ বিচাৰি নহয়, পৰলোকৰ। তেতিয়া কৰ্ম্মৰ ফল ভোগৰ আকাঙ্ক্ষা

হয় পৰলোকত। কৰ্ম্মৰ চূড়ান্ত অৱস্থাত কৰ্ম্মকৰ্ত্তাই তাৰ ফলাকাঙ্‌ক্ষা নকৰি কৰ্ম্ম কৰি যায়, আৰু তাৰ ফল ঈশ্বৰত সমৰ্পণ—"কৃষ্ণাৰ্পণমস্তু"। ইয়াকে গীতাত বোলা হৈছে নিষ্কাম কৰ্ম্ম। কিন্তু কৰ্ম্মানুষ্ঠান নকৰি কোনো নিষ্কৰ্মী হব নোৱাৰে। কৰ্ম্ম নকৰি একেবাৰেই ত্যাগীৰ আসনত উঠি প্ৰকৃত ত্যাগী হৈ সিদ্ধিলাভ কৰিব নোৱাৰে।

ন কৰ্ম্মণামনাৰম্ভান্নৈষ্কৰ্ম্ম্যং পুৰুষোঽশ্নুতে।
ন চ সংন্যসনাদেৱ সিদ্ধিং সমধিগচ্ছতি॥ (গীতা)

অৰ্থাৎ পুৰুষে কৰ্ম্মৰ অনুষ্ঠান নকৰি নৈষ্কৰ্ম্ম্য অৱস্থা পাব নোৱাৰে আৰু ত্যাগতো সিদ্ধি প্ৰাপ্ত নহয়।

অৰ্থাৎ কৰ্ম্মৰ ভিতৰেদি ত্যাগী হব লাগিব, কৰ্ম্ম ত্যাগৰ দ্বাৰাই নহয়, কিয়নো কৰ্ম্ম ত্যাগ কৰা সম্পূৰ্ণৰূপে অসম্ভৱ। এই বাবেই ভগৱন্তই কৈছে—

তস্মাদসক্তঃ সততং কাৰ্য্যং কৰ্ম্ম সমাচৰ।
অসক্তো হ্যাচৰন্ কৰ্ম্ম পৰমাপ্নোতি পুৰুষঃ॥

অৰ্থাৎ তুমি ফলাভিসন্ধ ৰহিত হৈ সদায় অৱশ্যে কৰণীয় কৰ্ম্মানুষ্ঠান কৰা। অনাসক্ত হৈ কৰ্ম্ম কৰিলে পুৰুষে মোক্ষ লাভ কৰে।

মানুহে আনকি জ্ঞানী মানুহেও, নিজৰ স্বভাৱৰ বশীভূত হৈ কৰ্ম্মত প্ৰবৃত্ত হয়, স্বভাৱক কোনোৱে অতিক্ৰম কৰিব নোৱাৰে। জীৱই যাইকৈ মন, বুদ্ধি, চিত্ত আৰু অহঙ্কাৰ এই চাৰিটি অন্তৰেন্দ্ৰিয়ৰ সংযোগেৰে কৰ্ম্ম সম্পাদন কৰে। পাঁচোটা জ্ঞানেন্দ্ৰিয়, শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ এই পাঁচোটা বিষয়ৰ যোগত বাক, পাণি, পাদ, পায়ু আৰু উপস্থৰ দ্বাৰায় মানুহ কৰ্ম্মত পৰিচালিত হয়। জীৱৰ জাগ্ৰত অৱস্থাত পাঁচোটা জ্ঞানেন্দ্ৰিয়ৰ দ্বাৰাই পাচোটা বিষয়েৰে সৈতে সাক্ষাৎ হয়। সেই সাক্ষাৎ বা সম্বন্ধ মনৰ সহায়ত হয়। মন চাৰিটা অন্তৰেন্দ্ৰিয়ৰ ভিতৰৰ এটা অন্তৰেন্দ্ৰিয়। মনৰ যোগ নহলে পঞ্চ বিষয়েৰে সৈতে পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ সম্বন্ধ নহয়। পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ দ্বাৰায় যেতিয়া মনেৰে সৈতে পঞ্চ বিষয়ৰ সাক্ষাৎ হয়, তেতিয়া সেই বিষয়বোৰ বুদ্ধিত স্বীকৃত হয় আৰু চিত্তত উদ্বোধন প্ৰাপ্ত হৈ 'অহংকৰ্ত্তা'—এনে জ্ঞানৰ দ্বাৰায় কৰ্ম্মত প্ৰবৃত্তি জন্মায় আৰু পিছত বাক, পাণি ইত্যাদি কৰ্ম্মেন্দ্ৰিয়ৰ দ্বাৰায় কৰ্ম্ম নিষ্পন্ন হয়। পূৰ্ব্বজন্মাৰ্জ্জিত কৰ্ম্ম-সংস্কাৰ মনৰ প্ৰৱৰ্ত্তক বা চেষ্টা উৎপাদনকাৰক। সেই বাবে জীৱই কৰ্ম্ম নকৰি থাকিব নোৱাৰে। এইটো এটা কৰ্ম্মচক্ৰ। এই চক্ৰ উলঙ্ঘন কৰাই টান। কিন্তু যদিও জীৱ কৰ্ম্ম-পৰতন্ত্ৰ, তথাপি সৎ বা অসৎ কৰ্ম্ম সম্পাদন কৰা বিষয়ত মানুহৰ স্বাধীনতা আছে। মানুহে আন আন বিষয়ত আন আন জীৱৰ দৰে হলেও জ্ঞানৰ বিষয়ত সেইবোৰতকৈ শ্ৰেষ্ঠ। শাস্ত্ৰত কৈছে:—"আহাৰো নিদ্ৰা ভয়ং মৈথুনঞ্চ সামান্যমেতৎ পশুভিৰ্নৰাণাম্, জ্ঞানং হি তেষামধিকো বিশেষঃ জ্ঞানেন হীনাঃ পশুভিঃ সমানাঃ।" অৰ্থাৎ আহাৰ, নিদ্ৰা, ভয় আৰু মৈথুন বিষয়ত মানুহ আৰু পশু দুয়ো সমান। মানুহ যাথোন জ্ঞানেৰে অধিক। সেইদেখি যি মানুহৰ জ্ঞান নাই, সি পশুৰ সমান। মানুহৰ গাত যি জ্ঞান আছে, তাৰদ্বাৰাই সি ভাল বেয়া বুজিব পাৰে। মানুহে যিবোৰ ইন্দ্ৰিয়ৰ সহায়ত জ্ঞানৰ কাৰ্য্য কৰে তাৰ ভিতৰত মনেই যাই। মনত প্ৰবৃত্তি আৰু নিবৃত্তি, এই দুটা বৃত্তি আছে। মানুহে জ্ঞানৰদ্বাৰায় প্ৰবৃত্তিৰ কৰ্ম্ম বাছি কৰিব পাৰে। প্ৰবৃত্তিক অৱলম্বন কৰি যেনেকৈ কৰ্ম্ম সৰহ কৰিব পাৰি, নিবৃত্তিক আশ্ৰয় কৰি সেইদৰে কৰ্ম্ম কমাবও পাৰি। কৰ্ম্ম কমাব পাৰিলেই মানুহ মোক্ষৰ অধিকাৰী হব পাৰে, কাৰণ কৰ্ম্মক্ষয় নহলে মুক্তি নহয়, কিয়নো কৰ্ম্মই বন্ধনৰ হেতু। সেইদেখি মানুহ কৰ্ম্মপৰতন্ত্ৰ হলেও তাৰ হ্ৰাস-বৃদ্ধি কৰিবৰ ক্ষমতা মানুহৰ আছে। জ্ঞানীয়ে স্বভাৱৰ বশীভূত হৈ বাহ্য কৰ্ম্মত প্ৰবৃত্ত থাকিলেও স্বতন্ত্ৰতাৰ বলেৰে কৰ্ম্মক্ষয় কৰে, কিন্তু অজ্ঞানীয়ে নোৱাৰে। স্বভাৱৰ বশৱৰ্ত্তী হৈ জ্ঞানীয়ে কৰ্ম্ম কৰিলেও সেই কৰ্ম্মৰ ফলৰ হাত এৰায়, কাৰণ জ্ঞানীয়ে তাক নিষ্কামভাবে কৰি কৰ্ম্মফল ঈশ্বৰৰ হাতত সমৰ্পণ কৰে।

মনৰ ত্যাগেই প্ৰকৃত ত্যাগ। কাৰণ "মন এৱ মনুষ্যানাং কাৰণং বন্ধমোক্ষয়োঃ।" মনেই মানুহৰ বন্ধন আৰু মুক্তিৰ হেতু। এই বাবেই কবীৰে কৈছে—"মনকে হাৰে হাৰিয়াঁ মনকে জিতে জিত। পৰম ব্ৰহ্মকো পাইয়াঁ মনহীকে পৰতীত॥" অৰ্থাৎ মনৰপৰা জয়ত পৰাজয়, তাৰ জয়তে জয় আৰু মনৰ প্ৰীতিতে পৰম ব্ৰহ্মক লাভ কৰা যায়। "যা মতিঃ সা গতি।" অৰ্থাৎ যেনে মতি হয় তেনে গতিও হয়। মতি অৱশ্যে কাৰ্য্যানুযায়ী হয়। যদিও ভগৱন্ত বস্তু নিত্যানন্দ, আত্মাৰাম, তথাপি তেওঁকে এক মাথোন শৰণ্য আৰু বৰেণ্য জ্ঞান কৰি তেওঁৰ আৰাধনা কৰিলে তেওঁত ঐকান্তিকতাৰ নিমিত্তে আৰাধকৰ মনত তৃপ্তি আৰু প্ৰীতি হয়; আৰু সেই তৃপ্তি, সেই প্ৰীতি নিত্যানন্দ পৰমেশ্বৰৰপৰাই হয়। সাংসাৰিক বস্তুৰপৰা হোৱা প্ৰীতি আৰু তৃপ্তি ক্ষণভঙ্গুৰ, কিন্তু ঈশ্বৰৰপৰা অহা প্ৰীতি আৰু তৃপ্তি সনাতন। সেই সনাতন তৃপ্তি আৰু প্ৰীতিৰ নিমিত্তে অনুভৱ কৰিব পাৰি যে ঈশ্বৰ নিত্য, প্ৰীত আৰু তৃপ্ত। এই বাবে ঈশ্বৰৰ প্ৰীতিৰ অৰ্থে আৰাধনা কৰা মানে তেওঁৰ প্ৰীতি লাভ কৰিবৰ নিমিত্তে আৰাধনা অৰ্থাৎ তেওঁৰপৰা প্ৰীতি লাভ কৰিব, সেই নিমিত্তেই তেওঁৰ আৰাধনা কৰা। নিজন আৰুদৰ্শী অৰ্থাৎ আত্মহুত, আত্মৰত আৰু

আত্মাতেই সন্তুষ্ট, তেওঁৰ কোনো কৰ্ত্তব্য নাই। সাধাৰণ মানুহতকৈ আত্মদৰ্শীৰ বিশেষত্ব এইখিনিতে। যি আত্মৰত অৰ্থাৎ মনক সঙ্কল্প-বিকল্পশূন্য কৰি আত্মাত ৰমণ কৰে, আত্মাতে সম্যকৰূপে আনন্দপ্ৰাপ্ত, তাৰ কৰ্ত্তব্য বাকী একো নাই। বেদত কৈছে, তেনে মানুহৰ,

ভিদ্যতে হৃদয়গ্ৰন্থিশ্ছিদ্যন্তে সৰ্ব্বসংশয়াঃ।
ক্ষীয়ন্তে চাস্য কৰ্ম্মাণি তস্মিন্ দৃষ্টে পৰাবৰে।

—মুণ্ডকোপনিষদ

অৰ্থাৎ যাৰ আত্মসাক্ষাৎকাৰ লাভ হৈছে তাৰ বাসনাময় হৃদয়গ্ৰন্থি ভেদ হৈ হৃদয় সৰল হৈছে, সমস্ত সংশয় নষ্ট হৈছে আৰু তাৰ সকলো কৰ্ম্মফল ক্ষয় হৈছে। বাসনা এব সংসাৰঃ—বাসনাই সংসাৰ। সেই বাসনা জীৱ মাত্ৰৰে সুখলাভৰ নিমিত্তে উৎপন্ন হয়, আৰু সুখলাভৰ নিমিত্তেই মানুহে কৰ্ম্ম কৰে। কিন্তু যেতিয়া মানুহৰ আত্ম-সাক্ষাৎকাৰ হয়, সেই আত্মানন্দ লাভৰ পিছত আৰু সাধাৰণ ক্ষণিক সুখলাভৰ নিমিত্তে কৰ্ম্ম-প্ৰবৃত্তি নেথাকে। এই কাৰণেই আত্মদৰ্শী জ্ঞানীৰ অনুষ্ঠিত কৰ্ম্মৰ দ্বাৰায় পুণ্য, অথ বা কৰ্ম্মত্যাগৰ নিমিত্তে প্ৰত্যবায় নাই। দেহাভিমানতে পাপ-পুণ্য আশ্ৰয় কৰে। যাৰ দেহাভিমান নাই, অৰ্থাৎ আত্মদৰ্শনৰ নিমিত্তে আত্মাৰ পাৰ্থক্য অনুভূত হলে নিৰ্লিপ্ততাৰ নিমিত্তে পাপ বা পুণ্য আত্মাত লিপ্ত নহয়, তাৰ আৰু কৰ্ম্মত বিচাৰ নাই।

দেহত যাৰ নাহি অহঙ্কাৰ।
তাহাৰ কৰ্ম্মত নাহি বিচাৰ ॥ —শঙ্কৰদেৱ

দুই

মুক্তিলাভ বা ঈশ্বৰপ্ৰাপ্তিৰ দ্বিতীয়টো পথ জ্ঞান-যোগ বা জ্ঞান-মাৰ্গ। শ্ৰীমদ্ভাগবদ্গীতাৰ চতুৰ্থ অধ্যায়ত এই জ্ঞানযোগৰ কথা বিশদভাৱে উল্লিখিত আছে। এক পৰমব্ৰহ্ম বা পৰমাত্মাৰ বাহিৰে জগতত দ্বিতীয় নাই। বাস্তৱিকতে পৰমাত্মা বা পৰমব্ৰহ্মত সকলো অহং বা ego বা আত্মা আছে যেনেকৈ, non-ego বা অনাত্মাও আছে। সকলো সৃষ্ট বস্তু সেই অদ্বিতীয় পৰমাত্মাৰ অসংখ্য বিকাশ।

ব্ৰহ্মাৰ্পণং ব্ৰহ্মহবিঃ ব্ৰহ্মাগ্নৌ ব্ৰহ্মণা হুতম্।
ব্ৰহ্মৈৱ তেন গন্তব্যং ব্ৰহ্মকৰ্ম্মসমাধিনা ॥ —গীতা

আমাৰ 'কীৰ্ত্তন'ত শ্ৰীশঙ্কৰদেৱে লিখিছে :—

তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক ॥
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুৱৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ ॥
তুমি পশু পক্ষী সুৰাসুৰ তৰু তৃণ।
অজ্ঞানত মূঢ় জনে দেখে ভিন্ন ভিন্ন ॥

গীতাৰ সপ্তম অধ্যায়ত ভগৱন্তই কৈছে :—

মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয়।
ময়ি সৰ্ব্বমিদং প্ৰোতং সূত্ৰে মণিগণা ইৱ ॥

আকৌ—

দৈৱী হ্যেষা গুণময়ী মম মায়া দুৰত্যয়া।
মামেৱ যে প্ৰপদ্যন্তে মায়ামেতাং তৰন্তি তে ॥

আকৌ—

ন মাং দুষ্কৃতিনো মূঢ়াঃ প্ৰপদ্যন্তে নৰাধমাঃ।
মায়য়াপহৃতজ্ঞানা আসুৰং ভাৱমাশ্ৰিতাঃ ॥

আকৌ—

নাহং প্ৰকাশঃ সৰ্ব্বস্য যোগমায়াসমাবৃতঃ।
মূঢ়োঽয়ং নাভিজানাতি লোকো মামজমব্যয়ম্ ॥

তোমাৰেসে মায়াযে মোহিত সৰ্ব্বজনে।
তুমি আত্মা তোমাক নাজানে একোজনে ॥
সমস্ত ভূতৰে তুমি আছা হৃদয়ত।
তথাপি নাপাই তোমাক বিচাৰে বাহিৰত ॥
তুমিসে কেৱলে সত্য মিছা সবে আন।
জানি জ্ঞানীগণে কৰে হৃদয়ত ধ্যান ॥ —কীৰ্ত্তন

মায়াৰ ৰচনা এই সংসাৰৰ আৱৰণৰ ভিতৰত থকা ব্ৰহ্মক যি ধ্যান কৰে, তাৰ ব্ৰহ্ম লাভ হয়—জ্ঞান-যোগৰ এই মূল কথা। শ্ৰীকৃষ্ণই কৈছে, ego বা স্বকীয়া আত্মাৰ পুনৰ্জ্জন্ম আছে। প্ৰকৃত জ্ঞান আৰু ধৰ্ম্ম সংস্থাপনৰ অৰ্থে,-যি জ্ঞান আৰু ধৰ্ম্ম কালক্ৰমত অধোগতি প্ৰাপ্ত হয়—যুগে যুগে ঈশ্বৰৰ অৱতাৰ হয়। যি যি বিশেষ ego বা আত্মাত পৰমাত্মাৰ বিকাশ বেছি, সেই সকলেই অৱতাৰ। সাধাৰণ ego বা আত্মাও ঈশ্বৰৰে অংশ। "তোমা-ৰেসে অংশ আমি যত জীৱজাক।" (শঙ্কৰদেৱ)। জ্ঞানত অৱতাৰো ঈশ্বৰৰ অংশ, কিন্তু অৱতাৰজন শ্ৰেষ্ঠ ; কাৰণ তেওঁ আৰু ঈশ্বৰ যে একে, এইটো তেওঁ সম্পূৰ্ণৰূপে উপলব্ধি আৰু অনুভৱ কৰে। অৱতাৰ মায়াৰ অৰ্থাৎ অবিদ্যা বা অজ্ঞানৰ বান্ধোনেৰে বদ্ধ নহয় ; সাধাৰণ মানুহ বদ্ধ। মানুহে সাধাৰণতে নিজক স্বকীয়া পদাৰ্থ বুলি ভাবে। অৱতাৰে ভাবে আৰু উপলব্ধি কৰে যে তেওঁ ঈশ্বৰেৰে সৈতে একে ; সোঽহম্। সাধাৰণ মানুহৰ দেহত আত্ম-বুদ্ধি হয় অজ্ঞানতাৰ নিমিত্তে, অৱতাৰ বা মহাপুৰুষৰ নহয়। এই অজ্ঞানতাৰ জাল সম্পূৰ্ণৰূপে জ্ঞান-খড়্গৰ দ্বাৰা ছেদিত হলেই মানুহৰ মুক্তি। এই

বাবেই শাস্ত্ৰত কৈছে—"আত্মানং বিদ্ধি।" এই বাবেই ভক্তই কাতৰভাৱে প্ৰাৰ্থনা কৰি কৈছে :—

তুমিসে কেৱলে আত্মা মোৰ।
তোমাক নাজানি জড় মিছা শৰীৰক মই
আত্মা বুলি ভৈলো সেৱা-চোৰ,
কিনো মই অজ্ঞানী দুৰ্ঘোৰ। (মাধৱদেৱ)
আমি মূঢ়মতি মোৰ অবিদ্যা-সাগৰে মতি
তোমাক নাজানি ভৈলো দুঃখী।
স্বৰূপ নাজানি ভৈলো দুঃখী॥

বেদান্ত দৰ্শনৰ শিক্ষা এই :—আচলতে জন্ম বা সৃষ্টি আত্মবিস্মৃতি। প্ৰকৃত মুক্তি আত্মজ্ঞান। যি জ্ঞানে মানুহক সম্পূৰ্ণৰূপে প্ৰবুদ্ধ কৰে (অকল বুদ্ধিত চেনেংপেতেংকৈ নহয়), সৰ্ব্বতোভাৱে তেওঁ যে ঈশ্বৰৰ অংশ, ঈশ্বৰৰে সৈতে একে এই জ্ঞান। অৱতাৰ হোৱা মহাপুৰুষে নিজৰ জীৱন, ইচ্ছা আৰু কাৰ্য্যকলাপ ঈশ্বৰৰ ইচ্ছাৰে সৈতে যে একে এই জ্ঞান সম্পূৰ্ণৰূপে অনুভৱ কৰে। এই বাবেই যীশু-খৃষ্টই কৈছিল " I nd my Father a"e o1e ." এই বাবেই বুদ্ধই কৈছিল—"মানুহে পৃথিৱীত স্বকীয় অস্তিত্ব অনুভৱ কৰে অজ্ঞানতাৰ নিমিত্তে।" যোযাত মহাপুৰুষে লিখিছে :—

ঈশ্বৰৰ সেৱা কৰন্তে জীৱৰ
গুচয় মায়াৰ ভ্ৰম।
ব্ৰহ্মপদে শুদ্ধ জীৱক বোলয়
ঈশ্বৰ পৰম ব্ৰহ্ম॥

বীতৰাগভয়ক্ৰোধা মন্ময়া মামুপাশ্ৰিতাঃ।
বহৱো জ্ঞানতপসা পূতা মদ্ভাৱমাগতাঃ॥ (গীতা)

অৰ্থাৎ আসক্তি, ভয় আৰু ক্ৰোধশূন্য আৰু মোতে একচিত্ত যি মোক আশ্ৰয় কৰি অনেকে আত্মজ্ঞানৰ দ্বাৰাই পৱিত্ৰ হৈ মোৰ ভাব পাইছে '

যক্ষ ৰক্ষ স্ত্ৰী শূদ্ৰ যত ব্ৰজবাসী।
পক্ষী মৃগ বিষ্ণু ভৈল কৃষ্ণক উপাসি। (কীৰ্ত্তন)

সমস্ত ভূতন্তে দেখিবেক নাৰায়ণ।
আত পৰে আন ধৰ্ম্ম সবে বিড়ম্বন॥
সমস্ত ভূতন্তে ব্যাপি আছো মই হৰি।
সবাক মানিবা তুমি বিষ্ণু-বুদ্ধি কৰি॥
কুকুৰ চণ্ডাল গৰ্দ্দভৰো আত্মা ৰাম।
জানিয়া সবাক পৰি কৰিবা প্ৰণাম॥ (কীৰ্ত্তন)

ইয়াকে বোলে ঈশ্বৰৰ অনুভূতি (God-realisation) আৰু এই অৱস্থাত জ্ঞানীয়ে সকলো প্ৰাণীক নিজৰ ভিতৰত দেখে আৰু নিজক সকলো প্ৰাণীৰ ভিতৰত দেখে আৰু এই সকলোকে এক ঈশ্বৰৰ ভিতৰত দেখে।

সমস্ত প্ৰাণীক পূজা বিষ্ণু বুদ্ধি কৰি। (কীৰ্ত্তন)
হৰিসে সবাৰো আত্মা বান্ধৱ ঈশ্বৰ।
সবাৰো হৃদয়ে বিষ্ণু আছন্ত সাক্ষাত। (শঙ্কৰদেৱ)

বেদান্ত দৰ্শনৰ মত অনুসৰণ কৰোঁতাসকল দুভাগত বিভক্ত। এভাগ দ্বৈতবাদী, আনভাগ অদ্বৈত-বাদী। দ্বৈতবাদীয়ে কয় জীৱাত্মা পৰমাত্মাৰে পৃথক হৈছে ঈশ্বৰৰ ইচ্ছাত, সেইদেখি ঈশ্বৰৰ ইচ্ছা নহলে জীৱাত্মা আৰু পৰমাত্মা এক হব নোৱাৰে। ওপৰত তুলি দিয়া "বীতৰাগ-ভয় ক্ৰোধা" গীতাৰ এই শ্লোকটোৰ দ্বৈতবাদীসে অৰ্থ কৰে যে মুক্তাত্মা-সকল ঈশ্বৰৰ নিচিনাই হয়, আৰু সেই মুক্তি সাৰূপ্য মুক্তি। কিন্তু অদ্বৈতবাদীয়ে তাৰ অৰ্থ কৰে যে এই মুক্তি ঈশ্বৰৰে সৈতে সম্পূৰ্ণ একত্ব পোৱা।

শ্ৰীকৃষ্ণৰ ধৰ্ম্মমত অতি উদাৰ। তেওঁ সকলো প্ৰকাৰ মতৰে প্ৰতি শ্ৰদ্ধা দেখুৱাই কৈছে,—যি যাৰ স্বভাৱ অনুসৰি যেনেকৈ পূজা কৰে তাতে তেওঁ সন্তুষ্ট, কাৰণ সকলো বাটৰ ওৰ তেওঁতেই। কিন্তু যদিও তেওঁৰ এই উদাৰতা, তেওঁ এক অদ্বিতীয় ঈশ্বৰৰ পূজাকেহে (Monotheism) সম্পূৰ্ণৰূপে সমৰ্থন কৰিছে আৰু সেই পূজা ইহলোক পৰলোকৰ সুখ বা ঐশ্বৰ্য্য কামনা কৰি কৰা পূজা নহয়, নিষ্কাম পূজা। সকাম পূজা মোক্ষপ্ৰাপ্তিৰ বাট নহয়।

কাঙক্ষন্তঃ কৰ্ম্মণাং সিদ্ধিং যজন্ত ইহ দেৱতাঃ।
ক্ষিপ্ৰং হি মানুষে লোকে সিদ্ধিৰ্ভৱতি কৰ্ম্মজা। (গীতা)

অৰ্থাৎ এই মনুষ্যলোকত কাম্য কৰ্ম্মৰ সিদ্ধি-প্ৰাৰ্থীসকলে মোক এৰি আন আন দেৱতাসকলৰ উপাসনা কৰে। এনে উপাসনাৰ সিদ্ধি অনিশ্চিত। কিন্তু নিষ্কাম কৰ্ম্মজনিত সিদ্ধি বা মুক্তি নিশ্চয় শীঘ্ৰে লাভ হয়। এইখিনিতে "পূৰ্ব্বমীমাংসা" দৰ্শনেৰে সৈতে শ্ৰীকৃষ্ণৰ মতৰ বিশেষ অমিল। পূৰ্ব্ব-মীমাংসাই কৈছে যে বেদত যি কৈছে, সেই বিধি-ব্যৱস্থা অভ্ৰান্ত আৰু তাক অনৰ-অচৰকৈ মানি চলিবা। বেদৰ ব্যৱস্থামতে সকলো ক্ষুদ্ৰ দেৱতাৰ পূজা কৰিবা, তেহে তোমাৰ স্বৰ্গ লাভ হব। কৃষ্ণই বেদক একে-বাৰেই উৰাই দিয়া নাই, কিন্তু কৈছে, বেদৰ অনেক বাক্য পুষ্পিত। কৃষ্ণই কৈছে—"মম বৰ্ত্মানুবৰ্ত্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্ব্বশঃ।

যেহপ্যন্যদেৱতা ভক্তা যজন্তে শ্ৰদ্ধয়ান্বিতাঃ।
তেহপি মামেৱ কৌন্তেয় যজন্ত্যবিধিপূৰ্ব্বকম্॥

অৰ্থাৎ হে কৌন্তেয়! শ্ৰদ্ধাযুক্ত হৈ যি আন দেৱতা ভজনা কৰে, সিও মোকেই অবিধিপূৰ্ব্বক

ভজনা কৰে। ইয়াৰ মানে মোৰ বাহিৰে আন একো নাই। কিন্তু যদিও এনে ভজনা মোৰেই ভজনা, তথাপি সি আওবাটীয়া। দেৱতাসকলে মোক্ষ দিব নোৱাৰে। মোক্ষ মইহে দিব পাৰোঁ। আৰু সিয়েই আচল বস্তু। দেৱতাসকলে মুচুকুন্দক কৈছিল—

মোক্ষ ব্যতিৰেকে লৈয়োক বৰ।
বিষ্ণুসে মোক্ষৰ হোন্ত ঈশ্বৰ॥ —কীৰ্ত্তন

সেইদেখি মুচুকুন্দই উত্তৰ দিছিল—

'নলাগে বৰ নিদ্ৰা কৰো আমি।' কোনো দেৱতাক "সৃষ্টি, স্থিতি, প্ৰলয়ৰ পৰম কাৰণ নাৰায়ণ' বুলি উপাসনা নকৰি, মাথোন এজন দেৱতা বুলি উপাসনা কৰাটো কৃষ্ণৰ মত নহয়। বাস্তৱিকতে অন্য দেৱতাক, যেনে—ইন্দ্ৰ, চন্দ্ৰ, বায়ু, বৰুণক তেনেকৈ সৃষ্টি, স্থিতি, অন্তকাৰী দেৱ বুলি ভাবিবই নোৱাৰি, উপাসনাও কৰিব নোৱাৰি। কিয়নো, তেওঁলোক তেনেকুৱা নিশ্চয় নহয়। এক মাথোন নাৰায়ণহে সেই দেৱতা। ইন্দ্ৰাদি দেৱতাসকল তেওঁৰ আজ্ঞাকাৰী ভৃত্যহে। উপনিষদত কৈছে—

ভয়াদস্যাগ্নিস্তপতি ভয়াৎ তপতি সূৰ্য্যঃ।
ভয়াদিন্দ্ৰশ্চ বায়ুশ্চ মৃত্যুৰ্ধাৱতি পঞ্চমঃ॥
-কঠোপনিষদ

ইয়াৰ প্ৰতিনিধি শ্ৰীশঙ্কৰদেৱৰ কীৰ্ত্তন-ঘোষাত—

পলায় জগতৰ মৃত্যু যি প্ৰভুক ডৰে।
যাৰ ভয়ে চন্দ্ৰ সূৰ্য্য পৱন সঞ্চৰে॥
হেন জগন্নাথ অনাথৰ নাথ দেৱ।
হৰি বিনে আৰৰ তাৰন্তা নাহি কেৱ॥

তিনি

মুক্তিলাভৰ তৃতীয় পথ যোগমাৰ্গ। এই যোগ হঠযোগ নহয়, ৰাজযোগ। পতঞ্জলিত এই যোগৰ বিশদ শিক্ষা আছে। গীতাৰ ষষ্ঠ অধ্যায়ত ভগৱন্তই যোগমাৰ্গৰ বিষয়ে সংক্ষেপ বিবৃতি দিছে। গীতাৰ পঞ্চম অধ্যায়ত শ্ৰীকৃষ্ণই সন্ন্যাস আৰু কৰ্ম্ম-যোগৰ ঐক্য দেখুৱাই ষষ্ঠ অধ্যায়ত ধ্যান-যোগৰ বৰ্ণনা দিলে। তেওঁ আচলতে বুজাই দিলে যে যোগী আৰু সন্ন্যাসী একে। তেওঁ যোগীৰ স্থান, আসন, উপবেশনৰ নিয়ম আৰু প্ৰাণ মন বুদ্ধিৰ সংযম সাধন কৰি যোগপ্ৰাপ্তিৰ সুগম পথ দেখুৱাই দিলে আৰু যোগীৰ আহাৰ বিহাৰাদিৰ বিষয়েও উপদেশ দিলে। অকল জ্ঞানকে আশ্ৰয় কৰি যোগাৱলম্বনতকৈ যে জ্ঞান আৰু বৈৰাগ্যৰে সৈতে ভক্তিযোগ শ্ৰেষ্ঠ সেইটো তেওঁ কৈ দিলে :—

যোগিনামপি সৰ্ব্বেষাং মদ্গতেনান্তৰাত্মনা।
শ্ৰদ্ধাবান্ ভজতে যো মাং স মে যুক্ততমো মতঃ॥

অৰ্থাৎ হে অৰ্জ্জুন! মোৰ মতে যোগী তপস্বীতকৈ শ্ৰেষ্ঠ; জ্ঞানীতকৈ শ্ৰেষ্ঠ। এতেকে তুমি যোগী হোৱা। যি শ্ৰদ্ধাবান্ মানুহে মদ্গত চিত্তেৰে মোক ভজনা কৰে, তেওঁ সকলো যোগীতকৈ শ্ৰেষ্ঠ।

বাস্তৱিকতে জ্ঞান আৰু ভক্তি দুয়ো ভগৱন্ত পাবৰ উপায়। দুইৰো ধাৰায় একে অৱস্থাত ওলোৱা যায়গৈ। প্ৰভেদৰ ভিতৰত,—জ্ঞানীয়ে "তেৱেঁই মই" অৰ্থাৎ "সোহহম্" চিন্তা কৰোঁতে কৰোঁতে তেওঁত লীন হয়। এই বাবেই নৃসিংহ ভগৱন্তই প্ৰহ্লাদৰ নিচিনা ভক্তকো কৈছিল :—

শুনি নৰসিংহে হাসিলন্ত।
জানো তুমি ভকত একান্ত॥
তথাপিতো ইটো মন্বন্তৰ।
হুয়া থাকা দৈত্যৰ ঈশ্বৰ॥
সদায় শুনিবা মোৰ কথা।
মোৰ ৰূপ চিন্তিবা সৰ্ব্বথা॥
কীৰ্ত্তনে পলাইবে পাপচয়।
ভোগ ভুঞ্জি পুণ্য কৰা ক্ষয়॥
তোৰ যশে ব্যাপিবে জগতে।
ৰাত্ৰি দিনে লোক সুমৰন্তে॥
সবে কৰ্ম্মবন্ধে হৈবা হীন।
অন্তকালে মোত যাইব লীন॥
—শঙ্কৰদেৱ

এই বাবেই ভক্ত দামোদৰ বিপ্ৰই—

দৃঢ় ভকতি কৰি ছিণ্ডি মোহ জৰী
কৰ্ম্মবন্ধে ভৈলা হীন।
পায়া মহোদয় দেখি ব্ৰহ্মময়
কৃষ্ণতে গৈলন্ত লীন॥ —শঙ্কৰদেৱ

এই বাবেই শ্ৰীকৃষ্ণই উদ্ধৱক কৈছিল :—

আমাক স্মৰিবা বাক্য মনে।
মোৰ ধৰ্ম্ম কৰিবা যতনে॥
সংসাৰৰ দোষে হৈবা হীন।
তেবে চিত্ত মোতে যাইবা লীন॥
—শঙ্কৰদেৱ

জ্ঞানীৰ বিচাৰত :—সমুদ্ৰৰূপৰা এক বিন্দু জল সুকীয়া হ'ল। সেই বিন্দু জল আকৌ সমুদ্ৰত পৰি আগৰ নিচিনাকৈ সমুদ্ৰেৰে সৈতে মিলি গ'ল, তাৰ সুকীয়া অস্তিত্ব নাথাকিল। পৰমাত্মা আৰু জীৱাত্মা এনেকুৱা। কিন্তু ভক্তৰ বিচাৰ এনেকুৱা নহয়। ভক্তই কয়, জলবিন্দু অনন্ত সমুদ্ৰৰূপৰা সুকীয়া হৈ সি জলবিন্দু নাম ললে। বেছ কথা। কিন্তু মূল দৃষ্টিত যদিও

সেই বিন্দুৱে সমুদ্ৰত পৰি নিজৰ অস্তিত্ব বিলোপ কৰিলে, দৃষ্টিৰ বহিৰ্ভূত হ'ল আৰু স্থান আৰু কালৰ দ্বাৰাই যদিও বিচ্ছিন্ন হৈ একেজাতৰ সমুদ্ৰত পৰিল তথাপি সি সমুদ্ৰ নহয়, যদিও সি সমুদ্ৰৰ নিচিনা হোৱাটো দেখুৱালে। বাস্তৱিকতে সি সমুদ্ৰত থাকিও সমুদ্ৰ-বিন্দুৱেই হৈ ৰল। আনে তাক সমুদ্ৰৰ পৰা স্বকীয়াকৈ ধৰিব নোৱাৰিলেও, সি নিজে জানে যে সি সমুদ্ৰৰ বিন্দুহে। সমুদ্ৰত পৰি তাৰ বিন্দু নাম গুচিলেও সি নিজে জানে যে সি আগেয়ে যি বিন্দু আছিল, তেতিয়াও সেই বিন্দুৱেই আছে। তাৰ নিজৰ অপ্ৰতিহত জ্ঞানে তাক স্বকীয়া কৰিয়েই সমুদ্ৰত থৈছে। সি সমুদ্ৰক হেৰুৱাইছিল, আকৌ সমুদ্ৰক পালে, আৰু সমুদ্ৰৰ সেৱাত সি নিযুক্ত হ'ল। অনেকে ভাবে যে সমাধিৰ অৱস্থাত ভক্ত সাধকৰ সেব্য-সেৱকৰ ভাব থাকিব নোৱাৰে। ইয়াৰ উত্তৰত কব পাৰি যে সাধনাৰ দ্বাৰায় শোধিত জীৱই যেতিয়া সমাধিৰ অৱস্থাত নিজক ঈশ্বৰেৰে সৈতে অভেদ দেখে, তেতিয়া তাৰ তেনেকুৱা দেখাই সেৱা আৰু তেনেকুৱা দেখাই ঈশ্বৰৰ তাৰ প্ৰতি কৃপা। সেই-দেখি ভগৱন্তই কৈছে :—যোগীৰ পক্ষেও মই অদৃশ্য নহওঁ, আৰু যোগীও মোৰ পক্ষে অদৃশ্য নহয় অৰ্থাৎ ভক্ত যোগীৰ পক্ষে যেনেকৈ ভগৱন্ত "ভক্তৰ ভগৱন্ত", ভগৱন্তৰ পক্ষেও তেনেকৈ "ভক্ত ভগৱন্তৰ ভক্ত।" এইবাবেই গীতাত ভগৱন্তই কৈছে—"যে ভজন্তি তু মাং ভক্ত্যা ময়ি তে তেষু চাপ্যহম্।"

অক্ৰূৰে সেইদেখি কৃষ্ণক কৈছিল—

কোননো পণ্ডিতে এৰিয়া তোমাক
আনক ভজিবে যায়।
ভকতজনক আপোনাকো দিয়া
জানো ইটো অভিপ্ৰায় ॥
ভকতেসে প্ৰভু তোমাৰ বান্ধৱ
দিয়া মনোৰথ সিদ্ধি ॥ (শঙ্কৰদেৱ)

এই বাবেই ভগৱন্ত বলিৰ দুৱাৰৰখীয়া। এই বাবেই শ্ৰীকৃষ্ণই উদ্ধৱক কৈছিল—

ভকতেসে মোৰ হৃদি জানিবা নিশ্চয়।
ভকতজনৰ জানা আমিসে হৃদয় ॥
মই বিনা ভকতে নিচিন্তে কিছু আন।
ভকতৰ পৰে মই নিচিন্তোহো আন। (শঙ্কৰদেৱ)

ভগৱন্তই গীতাত কৈছে—

যো মাং পশ্যতি সৰ্ব্বত্ৰ সৰ্ব্বঞ্চ ময়ি পশ্যতি।
তস্যাহং ন প্ৰণশ্যামি স চ মে ন প্ৰণশ্যতি ॥

অৰ্থাৎ যি মোক সৰ্ব্বভূতত আৰু সকলোতে দেখে আৰু মোতে সকলোকে দেখে, তাৰ পক্ষে মই অদৃশ্য নহওঁ আৰু সিও মোৰ পক্ষে অদৃশ্য নহয়।

এতেকে এনে জ্ঞানীৰ সত্তা একেবাৰেই বিলোপ হব কেনেকৈ আৰু সেব্য-সেৱকৰ ভাবেই বা নাইকিয়া হব কেনেকৈ? আন নেলাগে, অদ্বৈতবাদী শঙ্কৰাচাৰ্য্যয়ো তেওঁৰ ৰচিত ষট্‌পদীত লেখিছে—

সত্যপি ভেদাপগমে নাথ তৱাহং ন মামকীনস্ত্বম্।
সামুদ্ৰোহি তৰঙ্গঃ ক্বচন সমুদ্ৰো ন তাৰঙ্গঃ ॥

অৰ্থাৎ হে ঈশ্বৰ। যদিও সমুদ্ৰ আৰু তৰঙ্গৰ একো প্ৰভেদ নাই তথাপি লোকে সমুদ্ৰৰহে তৰঙ্গ বোলে, তৰঙ্গৰ সমুদ্ৰ নোবোলে। তেনেকৈ হে ঈশ্বৰ। তোমাৰ আৰু মোৰ মাজত কোনো ভেদ নাথাকিলেও "মই তোমাৰ" এই কথাহে কব পাৰিম, 'তুমি মোৰ" এইদৰে কব নোৱাৰোঁ।

চাৰি

এই পৃথিৱীত শ্ৰীকৃষ্ণ নিশ্চয় প্ৰেম-ভক্তিৰ প্ৰধান শিক্ষক, যদিও জ্ঞান আৰু কৰ্ম্মৰ শিক্ষাতো তেওঁ অলপো ন্যূন নহয়। তেওঁৰ মতে, জ্ঞান, কৰ্ম্ম আৰু যোগৰ প্ৰত্যেকটো পথেই মুক্তিদায়ক, কিন্তু ভক্তিৰ পথ সহজ আৰু শ্ৰেষ্ঠ। সেই তিনিটা পথো ভক্তিৰে অভিষিক্ত নহলে মুক্তিলাভ সুলভ নহয়। কৰ্ম্ম, জ্ঞান আৰু ভক্তিৰ সমন্বয় সৰ্ব্বোৎকৃষ্ট অৱস্থা আৰু গীতাৰ দ্বাদশ অধ্যায়ত কৃষ্ণৰ শিক্ষাৰ সেয়ে সাৰ বস্তু। বাস্তৱিকতে ভাবি চালে দেখি যে আচলতে গীতাত ভক্তিৰ ধাৰাটোৱেই যাই, কৰ্ম্ম আৰু জ্ঞান তাৰ শাখানদী মাথোন। প্ৰকৃত জ্ঞান আৰু প্ৰকৃত কৰ্ম্মই ভক্তিলৈকেহে টানি নিয়ে। গীতাৰ সপ্তম অধ্যায়ত—

তেষাং জ্ঞানী নিত্যযুক্ত একভক্তিৰ্বিশিষ্যতে।
প্ৰিয়োহি জ্ঞানিনোঽত্যৰ্থমহং স চ মম প্ৰিয়ঃ ॥

অৰ্থাৎ তেওঁলোকৰ ভিতৰত সদায় মোত নিষ্ঠাৱান আৰু এক মাথোন মোত ভক্তিবিশিষ্ট জ্ঞানীয়েই শ্ৰেষ্ঠ। মই জ্ঞানীৰ অতিশয় প্ৰিয় আৰু তেওঁ মোৰ বৰ প্ৰিয়।

এই কথায়ো ভক্ত জ্ঞানীলৈকেহে আঙুলিয়ায়। শ্ৰীকৃষ্ণৰ মুখনিঃসৃত গীতা হিন্দুৰ বেদ, উপনিষদৰ আৰু দৰ্শনৰ ঘনীভূত সাৰতত্ত্ব। এই বাবে গীতাৰ বিষয়ে কোৱা হৈছে :—

সৰ্ব্বোপনিষদো গাৱো দোগ্ধা গোপালনন্দনঃ।
পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ ॥

অৰ্থাৎ—

সকলো উপনিষদ ধেনু দোগ্ধা হৈল তাৰ নন্দসুত
তাৰ বৎস হৈল কুন্তীসুত অৰ্জ্জুন।

দুখ দৈছেল মহা গীতামৃত   কৃষ্ণৰ চৰণে দিয়া চিত্ত
সুবুদ্ধিসকলে সন্তোষে পান কৰয়। (ঘোষা)

হিন্দুৰ এই প্ৰসিদ্ধ পুৰণি শাস্ত্ৰ কৰ্ম জ্ঞান, ভক্তি, দৰ্শন, বিজ্ঞান, যুক্তি, বিশ্বাসৰ সামঞ্জস্যকৃত সম্মিলন। পৃথিবীৰ কোনো সভ্য জাতিৰ কোনো শাস্ত্ৰই কৰ্ত্তব্য কৰ্ম, জ্ঞান আৰু ভক্তি, সৃষ্টি, মুক্তি, সৃষ্টি-ৰহস্য, আত্ম-তত্ত্ব জ্ঞান, জীৱাত্মা আৰু পৰমাত্মাৰ বিষয়ে গীতাৰ দৰে বিশদভাৱে শিক্ষা দিব পৰা নাই। এইবোৰ বিষয়ত গীতা অদ্বিতীয়। গীতা কোনো এটা নতুন ধৰ্ম্মৰ পথৰ আৱিষ্কাৰক নহয়। কৃষ্ণাৱতাৰৰ আগলেকে হিন্দুৰ ইহকাল আৰু পৰকালৰ বিষয়ে অশেষ চিন্তা, গৱেষণা, আধ্যাত্মিক দৰ্শন, জ্ঞান, বিজ্ঞান ইত্যাদিৰ সংক্ষিপ্ত, সৰ্ব্বশ্ৰেষ্ঠ, অত্যুজ্জ্বল অথচ সুগভীৰ সাৰ-বিবৃতি গীতা। এই সকলোবোৰৰ সাৰ-তত্ত্বক কেন্দ্ৰীভূত কৰি, আধ্যাত্মিক, ঐহিক, পাৰলৌকিক, ধৰ্ম্ম, নীতি, আচৰণ ইত্যাদিৰ প্ৰদীপ্ত প্ৰদীপ অজ্ঞান এন্ধাৰত পৰি ককবকোৱা মানুহৰ চকুৰ আগত শ্ৰীকৃষ্ণ ভগৱন্তই ধৰিছে। তেওঁৰ শিক্ষা সাম্প্ৰদায়িক সংকীৰ্ণতাৰ আৱৰণ ভেদ কৰি উদাৰ সামঞ্জস্যৰ ওখ ভেটিত প্ৰতিষ্ঠিত হৈছে। বেদান্ত দৰ্শনৰ দাৰ্শনিক তত্ত্বৰ ব্যাখ্যাৰ সামঞ্জস্য কৰি বেদান্ত দৰ্শনেৰে সৈতে সাংখ্য আৰু যোগ-দৰ্শনৰ তেওঁ যোগ সাধন কৰিছে। তেওঁৰ শিক্ষা ধৰ্ম্ম-তত্ত্ব আৰু নীতি-তত্ত্বৰ চৰম শিক্ষা। ঈশ্বৰত প্ৰগাঢ় ভক্তিযোগ, সৰ্ব্বপ্ৰাণীত সমদৰ্শন আৰু আত্মৱৎ বুদ্ধি, জীৱনৰ সকলো কৰ্ম্মত নিষ্কামভাৱ আৰু তাৰ ফলাফল ঈশ্বৰত সমৰ্পণ আৰু ঈশ্বৰত আত্মনিবেদন ইত্যাদি তেওঁৰ শিক্ষা পৃথিৱীত অতুলনীয়। ভিন্ন ভিন্ন পন্থাৱলম্বী ধৰ্ম্মাচৰণকাৰীসকলৰ প্ৰতিও তেওঁৰ উদাৰ ধৰ্ম্মমতৰ উদাৰ উক্তি। গীতাৰ সাৰবস্তু যদিও একমেৱাদ্বিতীয়ম্, ঈশ্বৰত একশৰণ আৰু অব্যভিচাৰী ভক্তি, তথাপি আন আন প্ৰচলিত বিভিন্ন মতাৱলম্বী ধৰ্ম্মৰ প্ৰতিও গীতাৰ শত্ৰুতা নাই। কৃষ্ণ-প্ৰচাৰিত ধৰ্ম্মশিক্ষা সাৰ্বভৌমিক, সাৰ্ব্বলৌকিক আৰু সনাতন। চাৰি-পাঁচ হাজাৰ বছৰৰ আগেয়ে প্ৰচাৰিত সেই শিক্ষাত, অৱশ্যে কোনো কোনো বিষয়ত সেই কালৰ মনুষ্য সমাজৰ আৰু মনুষ্য সমাজত প্ৰচলিত ধৰ্ম্ম-কৰ্ম্মৰ কিছু কিছু ছাঁ যে পৰিছে তাত সন্দেহ নাই।

কোনো কোনোৱে ভগৱদ্গীতাক ৰূপক শাস্ত্ৰ বুলিও ব্যাখ্যা কৰে। যেনে,—অৰ্জ্জুন জীৱাত্মাৰ আৰু কৃষ্ণ পৰমাত্মাৰ প্ৰতীক। কৌৰৱ পাপ প্ৰবৃত্তিবোৰ। কৃষ্ণই অৰ্জ্জুনক শিক্ষা যে ধৰ্ম-ৰাজ্য পাবৰ জন্যে অৰ্থাৎ মুক্তি লভিবৰ হলে, সেইবোৰ জয় কৰিব লাগিব। জীৱন যুদ্ধক্ষেত্ৰত জীৱাত্মাৰ কাণত পৰমাত্মাৰ উপদেশ কুচকুচ কথাৰে পৰিব লাগিছে। মানুহৰ শৰীৰেই যুদ্ধক্ষেত্ৰৰ মাজত স্থাপিত ৰথ। প্ৰত্যেক মানুহে নিজৰ বাহুবলেৰে যুদ্ধ কৰিব লাগিব, অৱশ্যে হৃদয়স্থ সাৰথি পৰমাত্মা শ্ৰীকৃষ্ণৰ উপদেশ উপদেশ আৰু চালনা মতে।

ভাগৱত-তত্ত্ব

নিগমকল্পতৰোৰ্গলিতং ফলং শুকমুখাদমৃতদ্ৰৱসংযুতম্।
পিৱত ভাগৱতং ৰসমালয়ম্ মুহুৰহো ৰসিকাঃ
ভুৱি ভাবুকাঃ ॥

মহাপুৰুষে ইয়াৰ ঘোষা পদ কৰিছে,—

সকল নিগম কল্পতৰু   তাৰ ফল মহা ভাগৱত
শুক মুখে আসি ভূষিত ভৈল বিদিত।
ৰসত চতুৰ যিটো জন   কৃষ্ণৰ চৰণে দিয়া মন
পৰম সন্তোষে পিয়োক ফল-অমৃত ॥

বাস্তৱিকতে এনেকুৱা জ্ঞান আৰু ভক্তিৰ গ্ৰন্থ সংস্কৃত ভাষাত আন এখন নাই। অকল সংস্কৃতত কিয়, পৃথিৱীত আন কোনো সভ্য জাতিৰ ভাষাতো এনে গ্ৰন্থ নাই। সঁচাঁসচিকৈয়ে ভাগৱত নিগম-কল্পতৰুৰ শুকমুখবিগলিত অমৃতদ্ৰৱসংযুক্ত ফল। সেই ফলত বাকলি, সিটা আৰু গুটি নাই; তাত মাথোন ৰস আৰু ৰস। এই বাবেই ৰসিক ভাবুকসকলক ব্যাসদেৱে গ্ৰন্থৰ আৰম্ভতে নিৰন্তৰ এই ফল আস্বাদন কৰিবলৈ কৈছে। এই বাবেই শুকদেৱে পৰীক্ষিতক কৈছিল—

পৰিনিষ্ঠিতোহপি নৈৰ্গুণ্যে উত্তমশ্লোকলীলয়া।
গৃহীতচেতা ৰাজৰ্ষে আখ্যানং যদধীতৱান্ ॥
তদহং তেহভিধাস্যামি মহাপৌৰুষিকো ভৱান্।
যত্ৰ শ্ৰদ্দধতামাশু স্যান্মুকুন্দে মতিঃ সতী ॥

ইয়াৰ ভাঙনি মহাপুৰুষে কৰিছে,—

শুক নিগদতি পৰীক্ষিত   যদি আমি নিৰ্গুণত স্থিত
তথাপি উত্তমশ্লোকৰ মহিমা গুণে।
কৰিলেক মোৰ বশ্য চিত্ত   ভাগৱত গ্ৰন্থ বিপৰীত
পৰম আনন্দে পঢ়িলো মই আপুনে ॥

তোমাত কহিবো সেহি শাস্ত্ৰ   তুমি আৰু শুনিবাৰ পাত্ৰ
মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি।
ই শাস্ত্ৰত শ্ৰদ্ধা মাত্ৰকত   মুকুন্দৰ পাদ-পঙ্কজত
অতি শীঘ্ৰে তাৰ হোৱে জানা সতী মতি ॥

এই বাবেই শাস্ত্ৰত শ্ৰীমদ্ভাগৱতক প্ৰশংসা কৰি কোৱা হৈছে,—

ৰাজন্তে তাৱদন্যানি পুৰাণানি সতাং গণে।
যাৱদ্ভাগৱতং নৈৱ শ্ৰূয়তেঽমৃতসাগৰম্ ॥

অৰ্থাৎ—

ভাৰত পুৰাণ আদি যত প্ৰকাশ কৰয় নানা মত
যত মহাজন সবৰ সভা মধ্যাত।
পৰম আনন্দ ৰসময় কোটী সূৰ্য্যসম প্ৰকাশয়
মহা ভাগৱত নোহন্ত যাৰে বেকত ॥ (ঘোষা)

শ্ৰীমদ্ভাগৱত পৰমহংস-সংহিতা অৰ্থাৎ পৰমহংস-পদ-প্ৰাপ্তিৰ উপায় এই মহাপুৰাণত বৰ্ণিত হৈছে। দ্বাদশ স্কন্ধ ভাগৱতৰ ভিতৰত দশম স্কন্ধ শ্ৰেষ্ঠ। দশম স্কন্ধত নব্বৈটা অধ্যায় আছে। তাৰ ভিতৰত উনত্ৰিংশ অধ্যায়ৰপৰা পাঁচোটা অধ্যায়ত ৰাসলীলা বৰ্ণিত হৈছে। এই পাঁচোটা অধ্যায়ক ৰাসপঞ্চাধ্যায় বোলে। ৰাসপঞ্চাধ্যায়ত বৰ্ণনা কৰা বিষয় চমুকৈ এই :—

ভগৱানপি তা ৰাত্ৰীঃ শাৰদোৎফুল্লমল্লিকাঃ।
বীক্ষ্য ৰন্তুং মনশ্চক্ৰে যোগমায়ামুপাশ্ৰিতঃ॥

শৰৎ কালৰ উৎফুল্লমল্লিকা ৰাত্ৰি দেখি যোগ-মায়াক অৱলম্বন কৰি ভগৱন্তই গোপীসকলেৰে সৈতে ৰমণ কৰিবৰ মনস্থ কৰিলে। কাৰণ, ব্ৰত কৰি শ্ৰীকৃষ্ণক পতি পাবলৈ কাত্যায়নীৰ পূজা কৰোঁতা গোপবালাসকলক শ্ৰীকৃষ্ণই প্ৰতিশ্ৰুতি দিছিল। এই কাল প্ৰকৃতিৰ অনুকূল।

শৰত কালৰ ৰাত্ৰি আতি বিতোপন।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন॥
ভৈলন্ত উদিত চন্দ্ৰ পূৰ্ব্বদিশ হন্তে।
কামাতুৰা স্ত্ৰীৰ যেন সন্তাপ মাৰ্জ্জন্তে॥
অখণ্ডমণ্ডল চন্দ্ৰ দেখিলন্ত হৰি।
কুঙ্কুমে অৰুণ লক্ষ্মী মুখপদ্ম সৰি॥
বনকো দেখিল চন্দ্ৰ ৰশ্মিয়ে ৰঞ্জিত।
সুস্বৰ মধুৰ কৰি হৰি গাইল গীত॥

এনেকুৱা অনুকূল কালত ভগৱন্তই গোপীসকলক আহ্বান কৰিলে। সেই আহ্বান সুমধুৰ আৰু সঙ্গীত-ময়। "Blessed is the soul that listeneth to the voice of the Lord. শ্ৰীকৃষ্ণাপহৃতচিত্ত গোপীসকলে সেই আহ্বান—

শুনি কামে উত্ৰাৱল হয়া গোপীগণে।
দিলেক লৰৰ গীত-ধ্বনি নিৰীক্ষণে॥

নিশম্য গীতং তদনঙ্গবৰ্দ্ধনং ব্ৰজস্ত্ৰিয়ঃ
কৃষ্ণগৃহীতমানসাঃ।
আজগ্মুৰন্যোন্যমলক্ষিতোদ্যমাঃ স যত্ৰ
কান্তো জৱলোলকুণ্ডলাঃ॥

তেওঁলোকে পৰস্পৰক নিজৰ উদ্যম জ্ঞাপন নকৰিয়েই প্ৰাণকান্তৰ ওচৰলৈ ইমান বেগাই গৈছিল যে তেওঁলোকৰ

কৰ্ণত কুণ্ডল দোলে বেগত হাণ্ঠিতে।

কৃষ্ণত নিমগ্নচিত্ত গোপীসকলে কৃষ্ণৰ আহ্বান ধ্বনি শুনা মাত্ৰকতে গৃহকৰ্ম্ম যেনে আছিল তেনে অৱস্থাতে এৰি গ'ল—

দুহন্ত্যোঽভিযযুঃ কাশ্চিৎ দোহং হিত্বা সমুৎসুকাঃ।
পয়োঽধিশ্ৰিত্য সংযাৱমনুদ্বাস্যাপৰা যযুঃ॥
পৰিবেষয়ন্ত্যস্তদ্ধিত্বা পায়য়ন্ত্যঃ শিশূন্ পয়ঃ।
শুশ্ৰূষন্ত্যঃ পতীন্ কাশ্চিদশ্নন্ত্যোঽপাস্য ভোজনম্॥

ইয়াৰ ভাঙনি পদ শ্ৰীশঙ্কৰদেৱৰ কীৰ্ত্তনৰপৰা দিওঁ। সেই ভাঙনি কি সুন্দৰ, স্বাভাৱিক, concise and compact, অথচ expressive। এই পদৰ "একো অঙ্গে নাহি ক্ষতি ক্ষুণ্ণ।" ই অনুবাদ, অথচ কেনে অনুবাদ চোৱা। ইয়াক পঢ়িলেই কদাপি মনত নেখেলায় যে ই original নহয়, অনুবাদহে—

কত গোপী যায় গাই দোহনক এৰি।
আখাতে থাকিল দুগ্ধ চৰু সৈতে পৰি॥
পিয়ন্তে আছিল শিশু তাহাকো নগণি।
পতিশুশ্ৰূষাকো এৰি যায় কতোজনী॥
কতো গোপী আছিল স্বামীৰ পৰশন্তে।
আধা ভুঞ্জা ছলা কতো যায় লৰৰন্তে॥

লৰালৰিকৈ যাবলৈ গোপীসকলৰ উৎকণ্ঠা কি অদম্য
লিম্পন্ত্যঃ প্ৰমৃজন্ত্যোঽন্যা অঞ্জন্ত্যঃ কাশ্চ লোচনে।
ব্যত্যস্তবস্ত্ৰাভৰণাঃ কাশ্চিৎ কৃষ্ণান্তিকং যযুঃ॥
কৃষ্ণে হৰিলন্ত চিত্ত হৰাইল চেতন।
পিন্ধয় পাৱত নিয়া বক্ষৰ কঙ্কণ॥
হাতত নূপুৰ আৰে কন্ধালত হাৰ।
কৰি বিপৰ্য্যয় পিন্ধে বস্ত্ৰ অলঙ্কাৰ॥

"ব্যত্যস্তবস্ত্ৰাভৰণাঃ" অৰ্থাৎ লৰালৰিত তেওঁ-লোকৰ বস্ত্ৰ-অলঙ্কাৰ বিপৰ্য্যস্ত হল।

কিন্তু তথাপি তেওঁলোকে কোনো বিঘিনি বা প্ৰতিবন্ধক নেমানিলে। কৃষ্ণাকৃষ্ট মনৰ মানুহৰ বাটত কোনো বিঘিনি থাকিবই নোৱাৰে।

তা বাৰ্য্যমাণাঃ পতিভিঃ পিতৃভিঃ ভ্ৰাতৃবন্ধুভিঃ।
গোবিন্দাপহৃতাত্মানো ন ন্যৱৰ্ত্তন্ত মোহিতাঃ।
নিবাৰয় পতি পুত্ৰ ভ্ৰাতৃ আগ ভেণ্টে।
গোবিন্দে হৰিল চিত্ত তথাপি নোলটে॥
বিমোহিত হয়া সবে লৰবে গোপিনী।
হৰি-ভকতক যেন নলঙ্ঘে বিঘিনি॥

তেওঁলোকে মুগ্ধ অৰ্থাৎ possessed হৈ গৈছিল; বিঘিনিয়ে বাটত আগ-ভেটা কৰি কি কৰিব! কোনো গোপী যাব নোৱাৰি বিৰহত কুলন

ধ্যানত মগ্ন হল। আৰু ধ্যানত অৰ্থাৎ সমাধিত অচ্যুতৰ আলিঙ্গন লভি "ক্ষীণমঙ্গলাঃ" অৰ্থাৎ পুণ্য-বন্ধন ক্ষয় হৈ মুক্তি পালে।—

যাইবে নাপাই গৃহ মধ্যে কতো গোপীগণ।
মনে ধৰি কৃষ্ণক কৰিল আলিঙ্গন ॥
অনেক জন্মৰ কৰ্ম্মবন্ধ কৰি ক্ষীণ।
এৰি তনু তেখনে কৃষ্ণত গৈল লীন ॥

যদিও জাৰ-বুদ্ধিত সেই গোপীসকলে শ্ৰীকৃষ্ণত সঙ্গত হৈছিল, তথাপি শ্ৰীকৃষ্ণ পৰমাত্মা, সেইদেখি তেওঁলোকৰ দেহত্যাগ হল।

তমেৱ পৰমাত্মানং জাৰবুদ্ধ্যাপি সঙ্গতাঃ।
জহুঃ গুণময়ং দেহং সদ্যঃ প্ৰক্ষীণবন্ধনাঃ ॥

ইয়াৰ কাৰণ বস্তু-শক্তিয়ে বুদ্ধিলৈ অপেক্ষা নকৰে। নেজানি অমৃত পান কৰিলেও পান কৰোতা জনে অমৃতৰ ফল পায়।

বুদ্ধিক নাপেক্ষে মহৌষধিৰ শকতি ॥
বিষ বুলি অমৃত পিলে যিটো নৰ।
নুহিবে কি জানা সিটো অজৰ অমৰ ॥
যেন তেনমতে মাত্ৰ স্মৰোক সততে।
এতেকে মুকুতি পাৱে কহিলো বেকতে ॥

পৰীক্ষিতৰো এই সন্দেহ হৈছিল আৰু সেইদেখি তেওঁ শুকদেৱক তাৰ কাৰণ সুধিছিল। উত্তৰত শুকদেৱে ওপৰত দিয়া কাৰণ কৈছিল; আৰু কৈছিল—

দ্বেষ কৰি শিশুপালে লভিল মুকুতি।
বুদ্ধিক নাপেক্ষে মহৌষধিৰ শকতি।
উক্তং পুৰস্তাদেতৎ তে চৈদ্যঃ সিদ্ধিং যথা গতঃ।
দ্বিষন্নপি হৃষীকেশং কিমুতাধোক্ষজপ্ৰিয়াঃ ॥

কাৰণ শ্ৰীকৃষ্ণ হৃষীকেশ। জীৱৰ হৃদয়ত থকা ব্ৰহ্ম আবৃত। কিন্তু শ্ৰীকৃষ্ণ অনাবৃত ব্ৰহ্ম। সেই দেখি সেইখিনিত বুদ্ধিৰ অপেক্ষা নাই। যেনে তেনেমতে ভগৱন্তলৈ আসক্তি হলেই মুক্তি হয়।

কামং ক্ৰোধং ভয়ং স্নেহম্ ঐক্যং সৌহৃদমেৱ চ।
নিত্যং হৰৌ বিদধতো যান্তি তন্ময়তাং হি তে।

অৰ্থাৎ যি সদায় কাম, ক্ৰোধ, ভয়, স্নেহ, ঐক্য, সম্বন্ধ আৰু সৌহাৰ্দ্দ ভক্তি হৰিত নিয়োজিত কৰিব পাৰে, সি অৱ যাবায় ঈশ্বৰেৰে সৈতে তন্ময় হয়। আৰু তন্ময় হলেই মুক্তি। কাৰণ শ্ৰীকৃষ্ণৰ দ্বাৰায় স্থাৱৰাদিৰো মুক্তি হয়।

ন চৈৱং বিস্ময়ঃ কাৰ্য্যো ভৱতা ভগৱত্যজে।
যোগেশ্বৰেশ্বৰে কৃষ্ণে যত এতদ্ বিমুচ্যতে ॥

ব্ৰহ্মাদিৰো ঈশ কৃষ্ণ প্ৰভু ভগৱন্ত।
যাত হন্তে পাৱে মোক্ষ স্থাৱৰ পৰ্য্যন্ত ॥

কীৰ্ত্তন আৰু ঘোষা-তত্ত্ব

এক

আমাৰ মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ ৰচিত প্ৰধান শাস্ত্ৰ কীৰ্ত্তনৰ আৰম্ভ কৰিছে—

প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ ॥

কি প্ৰকৃত আৰম্ভণ। এনে সুন্দৰ আৰম্ভণ আন ধৰ্ম্মগ্ৰন্থত বা অন্য গ্ৰন্থত বিৰল। বেদ উপনিষদৰ পৰা আৰম্ভ কৰি আজিৰ যি কোনো পৰাবিদ্যাৰ ধৰ্ম্মগ্ৰন্থ বা অপৰাবিদ্যাৰ গ্ৰন্থকে চোৱা, দুশাৰী উজু কথাৰে পৃথিৱীৰ সকলো সনাতন ধৰ্ম্মৰ তত্ত্ব এনেকৈ প্ৰথমতে প্ৰকাশ কৰা নোপোৱা। পঢ়ি চোৱা, মিলাই চোৱা, ভাবি চোৱা—দেখিবা। অতীজৰ ঋগ্বেদ মেলা, "অগ্নিমীড়ে পুৰোহিতং" বুলি অগ্নিৰ বন্দনা পাবা। সিদিনাৰ ৰত্নমালা ব্যাকৰণ মেলা, "শ্ৰীনন্দসূনুৰ" বন্দনা পাবা, ইত্যাদি। অৱশ্যে আমি এনেকৈ নাই কোৱা যে পৰমব্ৰহ্মৰ conception সেইবোৰত নাই। আছে, নিশ্চয় আছে, কিন্তু শঙ্কৰদেৱৰ এই দুশাৰীৰ ভিতৰত আঠোটা শব্দৰ ভিতৰত, কেন্দ্ৰৰ পৰা ব্যাসাৰ্দ্ধ আৰু বৃত্তলৈকে সোপাই এইদৰে থকাটো আন ক'তো নেদেখা। কি grand conception আৰু সেই conception উজুকৈ প্ৰকাশ কৰিবৰ কি আশ্চৰ্য্য শক্তি শঙ্কৰদেৱৰ! শঙ্কৰদেৱে প্ৰথমেই সনাতন ব্ৰহ্মক প্ৰণাম কৰিছে, যি ব্ৰহ্ম নিজে অপৰিৱৰ্ত্তনীয় আৰু চিৰন্তন অথচ সেই ব্ৰহ্মই কেন্দ্ৰ আৰু সকলো অৱতাৰৰে কাৰণ হৈ সকলোৰে পৰিৱৰ্ত্তন সাধন কৰিব লাগিছে। সকলোৰে কাৰণ ব্ৰহ্ম বুলি শঙ্কৰদেৱে উপনিষদৰ ব্ৰহ্মৰ ধাৰণা মনলৈ আনিলে—

ওঁ য একোঽবৰ্ণো বহুধা শক্তিযোগাৎ
বৰ্ণাননেকান্নিহিতাৰ্থো দধাতি।
বি চৈতি চান্তে বিশ্বমাদৌ স দেৱঃ
স নো বুদ্ধ্যা শুভয়া সংযুনক্তু ॥

অৰ্থাৎ যি এক আৰু যি প্ৰাণীসকলৰ প্ৰয়োজন জানি বহু প্ৰকাৰ শক্তিৰে বিবিধ কাম্য বস্তু বিধান কৰিছে, সমুদায় ব্ৰহ্মাণ্ড আদ্যন্ত মধ্যত যি ব্যাপ্ত হৈ আছে, তেওঁ দীপ্যমান পৰমেশ্বৰ, তেওঁ আমাক শুভ বুদ্ধি প্ৰদান কৰক। আৰু শঙ্কৰদেৱৰ মনলৈ ধাৰণা আহিল—

ওঁযো দেৱোঽগ্নৌ যোঽপ্সু যো বিশ্বং ভুৱনমাবিৱেশ।
য ওষধিষু যো বনস্পতিষু তস্মৈ দেৱায় নমো নমঃ॥

অৰ্থাৎ যি দেৱতা অগ্নিত, যি পানীত, যি বিশ্ব-সংসাৰত প্ৰবিষ্ট হৈ আছে; যি ওষধিত, যি বনস্পতিত, সেই দেৱতাক বাৰে বাৰে নমস্কাৰ কৰোঁ।

আৰু ধাৰণা আছিল—"ওঁ স পৰ্য্যগাচ্ছুক্ৰম-কায়মব্ৰণমস্নাবিৰং শুদ্ধমপাপবিদ্ধম্।" অৰ্থাৎ তেওঁ সৰ্ব্বব্যাপী, নিৰ্ম্মল, নিৰৱয়ৱ, সিৰা আৰু ব্ৰণৰহিত, শুদ্ধ, অপাপবিদ্ধ। "তদেৱ নিত্যং জ্ঞানমনন্তং শিৱং স্বতন্ত্ৰং নিৰৱয়মেকমদ্বিতীয়ম।" কিন্তু ইয়াৰ লগে লগে তেওঁৰ মনলৈ ধাৰণা আহিল—"ব্ৰহ্মৰূপী।" অৰ্থাৎ ব্ৰহ্ম যদিও নিৰাকাৰ, নিৰৱয়ৱ, সিৰা আৰু ব্ৰণৰহিত, তথাপি তেওঁৰ ৰূপ নোহোৱা নহয়। ব্ৰহ্ম নিৰাকাৰ যেনেকৈ সাকাৰো তেনেকৈ। আমি সেই "যতো বাচো নিৱৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ" জনক যেই মনত ধাৰণা কৰিলো বা অনুভৱ কৰিলো, যিমান কি চকামকাকৈ বা ক্ষুদ্ৰাতি-ক্ষুদ্ৰাংশকৈ হওক, যেই তেওঁক ব্ৰহ্ম বুলিলো, সেই মুহূৰ্ত্ততে ব্ৰহ্ম সাকাৰ হল। নাম আৰু আকৃতি noumenon আৰু phenomenon অবিভক্ত আৰু অভেদ্য। তেওঁক ব্ৰহ্ম বা ঈশ্বৰ বা ভগৱান বা জগতকাৰণ বোলা মাত্ৰকতে তেওঁলৈ আকৃতি আহিল,—তেহেলে সেই আকৃতিটো কি বা কেনে তুমি জানা বা নাজানা বা মনত ধাৰণা কৰিব পাৰা বা নোৱাৰা অথবা তাৰ একলক্ষ ভাগৰ এক কণিকাকে তোমাৰ মনত ধাৰণা কৰা। কোনো concept ৰ জন্ম হলেই তাৰ লগে লগে আকাৰৰ জনম হল। আন নেলাগে, ব্ৰহ্ম বা ঈশ্বৰ জগৎ জুৰি আছে বুলিলেই তুমি জগতেৰে সৈতে ব্ৰহ্মক distinguish কৰিলা, অৰ্থাৎ পৃথকত্ব দিলা,— আৰু যেই distinguish কৰিলা সেই মুহূৰ্ত্ততে ব্ৰহ্ম বা ঈশ্বৰ সাকাৰ হল; কাৰণ এটা সমূৰ্ত্তক পদাৰ্থকহে অৰ্থাৎ কোনো এটাক অস্তিত্ব দিহে তাক অমুক বুলি কব পাৰি আৰু আন পদাৰ্থৰ পৰা distinguish কৰিব পাৰি।

এটা কথা মনত ৰাখিব লাগিব,—ঈশ্বৰ সাকাৰ মানে তেওঁ প্ৰকৃত আকাৰ ধৰাটো বুজিলে ঠিক নহয়। আকাৰ বুলিলেই আমাৰ পঞ্চভূতাত্মক প্ৰাকৃতিক আকাৰলৈ তৎক্ষণাৎ ভাবটো যোৱা সহজ। কিন্তু ঈশ্বৰ প্ৰাকৃতিক আকাৰেৰে সাকাৰ নহয়। তেওঁৰ আকাৰ প্ৰাকৃতিক আকাৰৰ বহিৰ্ভূত অৰ্থাৎ transcendental, কিন্তু তথাপি তেওঁৰ আকাৰ আছেই আছে, নতুবা তেওঁৰ অস্তিত্ব থাকিব নোৱাৰে। এই অৰ্থত ঈশ্বৰ নিৰাকাৰ হৈও সাকাৰ আৰু সাকাৰ হৈও নিৰাকাৰ। মহাপুৰুষ মাধৱদেৱে ঘোষাত তাকে কৈছে, আৰু সেয়েহে বিজ্ঞান দৰ্শন আৰু যুক্তিসম্মত—

যতেক প্ৰাকৃত আকাৰ-বৰ্জ্জিত
তৈলন্ত যিহেতু হৰি।
সেহি হেতুতেসে নিৰাকাৰ নাম
আছন্ত ঈশ্বৰে ধৰি॥

এই বাবেই সনাতন নিৰাকাৰ ঈশ্বৰক বা ব্ৰহ্মক সাকাৰ "ব্ৰহ্মৰূপী" বুলি প্ৰথমতে শঙ্কৰদেৱে প্ৰণাম কৰিছে। ব্ৰহ্ম বা ঈশ্বৰ "অৰূপী" হলে তেওঁত প্ৰণামেই নচলে।

কিন্তু তেওঁক সৃষ্টিপাতনিৰেপৰা সকলো জ্ঞানবিশিষ্ট জীৱেই ধাৰণা আৰু অনুভৱ কৰি ভক্তি-ভাবেৰে প্ৰণাম কৰি গাহিছে আৰু সৃষ্টিৰ অন্তলৈকে কৰিব। দেৱতা আৰু মানুহে তেওঁৰ আৰাধনা বন্দনা কৰিব লাগিছে আৰু কৰিবে তেওঁৰ তীব্ৰতৰ চকুৰে, স্থাৱৰ, জঙ্গম, আকাশ, বায়ু আৰু ঋতুসকলেও ঈশ্বৰক বন্দনা কৰি থকা দেখিছে—

তাৰে আৰতি কৰে চন্দ্ৰ তপন,
দেৱ মানৱ বন্দে চৰণ,
অসীম সেই বিশ্ব শৰণ
তাৰ জগত-মন্দিৰে।

অনাদি কাল অনন্ত গগন,
সেই অসীম মহিমা মগন,
তাহে তৰঙ্গ উঠে সঘন,
আনন্দ নন্দ নন্দনে।

হাতে লয় ছয় ঋতুৰ ডালি,
পায়ে দেয় ধৰা কুসুম ঢালি,
কতই বৰণ, কতই গন্ধ,
কত গীত কত ছন্দৰে।

বিহগ গীত গগন ছায়, জলদ গায়,
জলধি গায়, মহা পবন হৰষে ধায়,
গাহে গিৰি-কন্দৰে।
কত শত ভকত প্ৰাণ,
হেৰিছে পুলকে গাহিছে গান,
পুণ্য কিৰণে ফুটিছে প্ৰেম,
টুটিছে মোহ-বন্ধৰে।

এই বাবে পৃথিৱীৰ সকলো ঈশ্বৰ প্ৰতিপালক সনাতন ধৰ্ম্ম কাৰ্য্যত সাকাৰবাদী, মুখৰ কথাত নহলেও।

ধৰ্ম্ম দুই প্ৰকাৰ। প্ৰথম আৰু আটাইটো সনাতন ধৰ্ম্ম আৰু দ্বিতীয়টো যুগধৰ্ম্ম। কিন্তু দুইটাই সাকাৰ ঈশ্বৰ প্ৰতিপালক। সনাতন ধৰ্ম্মই সনাতন ঈশ্বৰৰ আৰাধনা উপাসনা কৰে, যুগধৰ্ম্মই ঈশ্বৰৰ কোনো বিশেষ বিকাশক মুখ্যতঃ আৰাধনা উপাসনা কৰে, আটাইটিৰ গৌণ মনত ৰাখি, অশেষ অশেষ শ্ৰদ্ধা আৰু অশেষ বাধ্য কৰি। [illegible] উপাসনাৰ

প্ৰতিপাদিত ধৰ্ম্ম সনাতন ধৰ্ম্ম। বাইবেল আৰু কোৰাণ প্ৰতিপাদিত ধৰ্ম্মও সনাতন ধৰ্ম্মইহে। পুৰাণ তন্ত্ৰ আদি প্ৰতিপাদিত ধৰ্ম্ম যুগধৰ্ম্ম। সনাতন ধৰ্ম্ম কল্পতৰু; সেই কল্পতৰুৰপৰা আৱশ্যকমতে মাগি প্ৰত্যেক যুগে যুগধৰ্ম্ম প্ৰৱৰ্ত্তকক পায়। সনাতন ঈশ্বৰৰ সনাতন ধৰ্ম্ম-কল্পতৰুৰ সাময়িক ফল যুগ-ধৰ্ম্মপ্ৰৱৰ্ত্তক অৱতাৰসকল। যেতিয়া যিভাৱে যিৰূপে প্ৰাকৃত আকাৰ-বৰ্জ্জিত নিৰাকাৰ হৰিয়ে সনাতন ধৰ্ম্মৰ গ্লানি গুচাই যুগধৰ্ম্ম প্ৰৱৰ্ত্তাৱৰ আৱশ্যক বিবেচনা কৰে তেতিয়া তেওঁ সেই কাৰ্য্যৰ নিমিত্তে তেওঁৰ প্ৰাকৃত আকাৰসম্বলিত ৰূপ ধৰি অৱতাৰ হয়। সেই কাৰ্য্য সম্পাদিত হলে, তেওঁৰ আৰু তেতিয়া সেই অৱতাৰৰ আৱশ্যকতা নেথাকে। এই বাবেই শঙ্কৰদেৱে কৈছে যে, "ব্ৰহ্মৰূপী সনাতনে" "যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত।" "মৎস্য, কূৰ্ম্ম, নৰসিংহ, বামন, পৰশুৰাম, হলিৰাম, বৰাহ, শ্ৰীৰাম" প্ৰত্যেক যুগৰ "ব্ৰহ্মৰূপী সনাতন"ৰ বিশেষ বিশেষ কাৰ্য্যৰ নিমিত্তে, সনাতন ধৰ্ম্মক গ্লানিৰপৰা ৰক্ষা কৰি যুগধৰ্ম্ম প্ৰৱৰ্ত্তাৱৰ নিমিত্তে "ব্ৰহ্মৰূপী সনাতন"ৰ যিবোৰ বিকাশ বা অৱতাৰ সেইবোৰ, নিৰাকাৰ-সাকাৰ ব্ৰহ্মৰ প্ৰাকৃতিক আকাৰ; কাৰণ সৃষ্ট প্ৰাকৃতিক পদাৰ্থক সুশৃঙ্খল কৰিবলৈ, মানুহক আওবাটৰপৰা বাটলৈ নিবলৈ হলে তেওঁ সৃষ্ট পদাৰ্থ, সৃষ্ট জীৱ মানুহে ধাৰণা কৰিব পৰা, দেখিবলৈ পোৱা, ব্যৱহাৰ কৰিবলৈ পোৱা প্ৰাকৃতিক ৰূপেৰে সাকাৰ হবই লাগিব, নতুবা মানুহে ধৰিব, চুব নোৱাৰা তেওঁ মানুহৰ পক্ষে অৰ্থহীন। মানুহৰ আনন্দ আৰু কুশলৰ অৰ্থে আনন্দময়ৰ এনেকুৱাই প্ৰাকৃতিক লীলা। খৃষ্টান ধৰ্ম্মতো এই বাবে প্ৰাকৃতিক ৰক্ত-মাংসৰ শৰীৰেৰে যীচুৰ অৱতাৰ, আৰু মচলেম ধৰ্ম্মতো তেনেৰূপেই মহম্মদৰ অৱতাৰ। ব্ৰহ্ম সনাতন ঈশ্বৰক প্ৰণাম কৰিয়েই, শঙ্কৰদেৱ তৎক্ষণাৎ ঈশ্বৰৰ কাৰ্য্য সৃষ্টিলৈ গ'ল। নগৈ নোৱাৰি। কাৰণ ঈশ্বৰ কৰ্ম্মশীল, চৈতন্যস্বৰূপ, তেওঁ জড় নহয়। এক তিল, এক মুহূৰ্ত্তও ঈশ্বৰ কৰ্ম্মবিৰত হৈ থাকিব নোৱাৰে, কিয়নো, তেওঁ জ্ঞানময়, কৰ্ম্মময়, আনন্দময়। চেতনা আৰু জ্ঞান নিষ্কৰ্ম্মা হৈ বহি থাকিব নোৱাৰে, কাৰণ ঈশ্বৰ পূৰ্ণচেতনাময় আৰু পূৰ্ণজ্ঞানময়। তেওঁৰ চেতনা জ্ঞান এক তিল, এক মুহূৰ্ত্তও জড়ভাৱাপন্ন হৈ থকা বুলিলে,—ঈশ্বৰৰ পূৰ্ণজ্ঞান পূৰ্ণচৈতন্যত সীমা দি তাত অপূৰ্ণতা আৰোপিত কৰা হব,—যিটো অসম্ভৱ। যেই প্ৰলয় বা মহাপ্ৰলয় হল, ঈশ্বৰে জগৎ সংহৰণ কৰিলে, তৎক্ষণাৎ সেই মুহূৰ্ত্ততে তেওঁ জগৎ সৃষ্টি আৰম্ভ কৰিলে, সেই কাৰ্য্য তেওঁৰ মনত প্ৰকাশিতেই হওক বা কাৰ্য্যত প্ৰকাশিতেই হওক। সেই দেখি শঙ্কৰদেৱে কীৰ্ত্তনত লেখিছে—

জগত সংহৰি তুতি আছা নাৰায়ণ।
প্ৰথম নিশ্বাসে বাজ ভৈলা বেদগণ॥

ঈশ্বৰৰ প্ৰথম নিশ্বাসতে বেদ অৰ্থাৎ জ্ঞানৰ বিষয়ীভূত কাৰ্য্য বা পদাৰ্থ object বাজ হল। প্ৰথম নিশ্বাসতে, অৰ্থাৎ consciousness বা fiıst bre^th অতে। ঈশ্বৰ সদায় সকলো মুহূৰ্ত্ততে conscious— এইটো স্বতঃসিদ্ধ। তেন্তে প্ৰথম নিশ্বাসতে বেদ বা জ্ঞান বাজ হোৱা মানে, যেই জগৎ সংহৰণ, সেই জগৎ প্ৰসাৰণ বা সৃষ্টি।

ঈশ্বৰ জ্ঞাতা। কিন্তু জ্ঞানৰ বিষয় knowledge বা object অৰ্থাৎ জানিবৰ বিষয় নেথাকিলে জ্ঞান থাকিব নোৱাৰে। জ্ঞানে কিবা এটা জানিব লাগিব, নতুবা সি জ্ঞান হৈ থাকিব নোৱাৰে। ঈশ্বৰক জ্ঞাতা বুলিলেই তেওঁক সেই মুহূৰ্ত্ততে জানিবলৈ বস্তু দিব লাগিব। The subject knower must have some object to know সেইদেখি প্ৰলয় হোৱা মাত্ৰকতে আকৌ সেই মুহূৰ্ত্ততে সৃষ্টি হ'বই লাগিব, নতুবা যিমানকেৰা সময়েই হওক, সৃষ্টি নথকা বুলিলেই তেওঁক জ্ঞানময় জ্ঞাতা knower বোলা নহব। ঈশ্বৰৰ এনে conception হব নোৱাৰে, হলে তেওঁ অসম্পূৰ্ণ হব। জগৎ আৰু ব্ৰহ্মক অভেদ বোলোতাঁ আৰু ব্ৰহ্মত একেবাৰেই জীৱৰ লয় বোলোতা monistic principle প্ৰতিপাদক অদ্বৈতবাদী শঙ্কৰাচাৰ্য্যক বিশিষ্টাদ্বৈতবাদী বৈষ্ণৱে এইখিনিতে ঠেকত পেলালত শঙ্কৰাচাৰ্য্যইও শেহত dualism (দ্বৈতবাদ) স্বীকাৰ কৰিবলগীয়াত পৰিছিল। অদ্বৈতবাদত দ্বৈতবাদ থাকিবই লাগিব। অকল monism ও নিৰ্ভুল নহয়, অকল dualism ও নিৰ্ভুল নহয়।

সৃষ্টি হলেই তাৰ শাসন পালন সুগঠন কৰিবলৈ অৱতাৰৰ (governor) আৱশ্যক আছিল আৰু সেই অৱতাৰবোৰ ব্ৰহ্মৰূপী সনাতনৰ অংশ অৱতাৰ হবই লাগিব। নতুবা কোন অক্ষৰ পুৰুষৰ প্ৰশাসনত, কোন ৰাজচক্ৰৱৰ্ত্তীৰ নিমিত্তে আৰু হুকুমত আৰু প্ৰতিনিধি হৈ তেওঁলোকে কাৰ্য্য কৰিব? এই বাবে হিন্দুৰ শাস্ত্ৰই ঈশ্বৰৰ প্ৰধান দশ অৱতাৰ আৰু অপ্ৰধান চতুৰ্ব্বিংশতি অৱতাৰৰ কথা কয়। এই নিমিত্তে শঙ্কৰদেৱে প্ৰথমতে "ব্ৰহ্মৰূপী সনাতন নাৰায়ণ"ক প্ৰণাম কৰিয়েই তেওঁৰ সৃষ্টি আৰু দশ আৰু চতুৰ্ব্বিংশতি অৱতাৰৰ কথা তেওঁৰ কীৰ্ত্তনত কৈছে। বেদ-উপনিষদৰ পৰা আৰম্ভ কৰি গীতা-ভাগৱতলৈকে প্ৰকৃত শাস্ত্ৰপ্ৰতিপাদিত, আৰ্য্যহিন্দুৰ শাস্ত্ৰবিহিত, বিজ্ঞান অনুমোদিত আৰু দৰ্শনৰ বিচাৰ-অগ্নিৰে পৰিশোধিত হিন্দুধৰ্ম্মৰ সৰ্ব্বসাৰ এইদৰে সকলোৰে সহজ উপভোগ্যৰ বিষয় কৰি এই কালৰ বেদস্বৰূপ 'কীৰ্ত্তন' পুথি যি মহাপুৰুষে ৰচনা কৰিলে

সেই মহাপুৰুষৰ পদপঙ্কজৰ ধূলিৰ কণা এটি মূৰত লৈ, আহাঁ ভাই অসমীয়া! আজি আমি ধন্য হওঁহঁক। এই বাবেইহে আমি আমাৰ 'শঙ্কৰদেৱ' গ্ৰন্থত 'কীৰ্ত্তন'ৰ কথা কওঁতে কৈছিলো যে পৃথিৱীত যতবোৰ সুন্দৰ ধৰ্ম্মগ্ৰন্থ আছে, আমাৰ শঙ্কৰদেৱ বিৰচিত কীৰ্ত্তন সেইসকলৰ ভিতৰত শিৰৰ মুকুট। কি দুখৰ কথা, যে এনে এডোখৰ অমূল্য ৰত্ন আমাৰ হাতত আছে, অথচ আমি তাক চিনিব নোৱাৰোঁ। আমি বোলে শিক্ষিত। জ্ঞানী!! বিদ্যাৱন্ত!!! আমি অবিদ্যাত বিদ্যাৱন্ত, বিদ্যাত নহয়। আমি মৃগতৃষ্ণাত পৰি স্নান পান আচমন কৰি মৰিব লাগিছো, আচল সৰোবৰত নহয়।

> হে হৰি সাৰশূন্য মৃগতৃষ্ণার্ণৱ-জলে
> ভ্ৰান্ত হয়া মহামোহ পাওঁ।
> স্নান পান আচমন কৰোঁহো ৰমণ তাত
> কতোহো ওপঙ্গো তল যাওঁ॥ (ঘোষা)

কীৰ্ত্তনৰ দুৱাৰমুখতে এই, ভিতৰত সোমালে অষ্টনিধিৰ ভাণ্ডাৰ। কিন্তু যি সেই ভাণ্ডাৰৰ দুৱাৰ মুকলি কৰিবলৈ pass-word মন্ত্ৰ জানে, তাৰ নিমিত্তেহে সেই দুৱাৰ মুকলি হব, আনৰ নিমিত্তে নহয়। 'চিচেম ফাক' বুলিবলৈ জানিবলৈ আলি-বাবা হব লাগিব, তেহে কীৰ্ত্তনৰ ৰত্নভাণ্ডাৰ-গুহাৰ সেই দুৱাৰ মুকলি হব; সেই মন্ত্ৰ নজনালৈ বাহিৰৰ পৰা সি শিলাময় পৰ্ব্বতৰ গা মাথোন, তাত ৰত্নমাণিক একো নাই। শঙ্কৰদেৱে আন একোকে নকৰি যদি এক মাথোন এই কীৰ্ত্তন পুথিখনকে লেখি থৈ গলহেঁতেন, তেন্তেও তেওঁ যুগযুগান্তৰলৈ অমৰ হৈ ৰলহেঁতেন। কিন্তু আমাৰ কি সৌভাগ্য যে তেওঁ ইয়াৰ বাহিৰেও আন আন অনেক অমূল্য গ্ৰন্থ ৰচনা কৰি গৈছে। আৰু অকল গ্ৰন্থ ৰচনাই নহয়, অসমীয়াক ধৰ্ম্ম, ভাষা, সাহিত্য, সমাজ, নীতি, সদাচাৰ, মনুষ্যত্ব, সত্যনিষ্ঠা আদিৰপৰা সঙ্গীতবিদ্যা, চিত্ৰকলাৰ আমোদ আনন্দলৈকে সকলোবোৰ দান কৰি গৈছে,—মুঠতে জাতীয়ত্ব গঠন কৰিবৰ নিমিত্তে অৰ্থাৎ এটা জাতিক সকলো পিনে সৰ্ব্বাঙ্গসুন্দৰ কৰি থিয় কৰিবৰ নিমিত্তে যি যি আৱশ্যক সকলো-বোৰ সেই মহাপুৰুষে দান কৰি গৈছে। ভাই অসমীয়া! তোমাৰ কৰ্ত্তব্য এতিয়া এইটোহে চোৱা যেন, সেই মহাপুৰুষৰ মহাদান অপাত্ৰত দান নহয়। এইটো নিশ্চয় জানিবা, তেওঁ তেতিয়া যি অসমীয়াক অৰ্থাৎ তোমাৰ যি পূৰ্ব্বপুৰুষক সেই মহাদান দিছিল সেই অসমীয়া নিশ্চয় অপাত্ৰ নাছিল; সেই অস-মীয়াই সেই মহাপুৰুষৰ মহাদান মূৰ পাতি গ্ৰহণ কৰি তাৰ সাৰ্থক ব্যৱহাৰ কৰি তেতিয়াৰ অসমক গৌৰৱান্বিত কৰি তুলিছিল; তেওঁৰ মহাদানৰ শান্তি-সলিলত সিক্ত হৈ গোটেই অসম নবীন আৰু সৌভাগ্যৱন্ত হৈ উঠিছিল। আমাৰ জাতীয় গৌৰৱৰ জাতীয় মহাপুৰুষৰ সেই অমূল্য দানৰ মোল বুজি যদি এতিয়া আমি তাক আজি অপাত্ৰত পৰাটো প্ৰমাণ কৰোঁ, তেন্তে নিশ্চয় সেই কাৰ্য্যই আমিৰ আমাৰ হীনতাহে প্ৰমাণ কৰিব; সেই মহাপুৰুষৰ মহাগৌৰৱৰ অখণ্ড জ্যোতিৰ এক ৰশ্মিটোমানো খৰ্ব্ব নকৰে। জ্যোতিৰ্ম্ময় সূৰ্য্যই সকলো সময়তে ঠিক অখণ্ড উজ্জ্বল জ্যোতিৰ্বিলাক দিব লাগিছে। সেই জ্যোতি আমাৰ চকুত পৰিব নিদি চকু মুদিলে আমিহে এন্ধাৰত থাকিম, সূৰ্য্য এন্ধাৰত নহয় আৰু পোহৰতো সূৰ্য্য এতিলমানো ক্ষীণ নহয়। সূৰ্য্যই ওপৰত উজ্জ্বল পোহৰ দি থাকোঁতে তেওঁৰ তলত মেঘে ওলমি পৃথিৱীক অলপ সময়ৰ নিমিত্তে এন্ধাৰ কৰি-লেও সূৰ্য্যৰ পোহৰ নকমে আৰু সূৰ্য্যৰ কোনো প্ৰকাৰ হ্ৰাসবৃদ্ধিও নঘটে। এনে পৰম উপকাৰী মহাপুৰুষ আমাৰ শঙ্কৰদেৱ। আমি নেজানো শঙ্কৰদেৱ ঋণ নে শুধিব, আমি জানিব নোখোজোঁ, তেওঁ কাৰ্য্যৰ নে কলিতা। আমি তেওঁক পাইছো, তেওঁ দিয়া ষড়ৈশ্বৰ্য্যৰ অধিকাৰী আমি হৈছো, তেওঁৰ মহাদান —ধৰ্ম্ম, ভাষা, সাহিত্য, কাব্য, সঙ্গীত, নীতি, চৰিত্ৰ, কলাবিদ্যা, সমাজ আদি অমূল্য ৰত্নবোৰ আমি পাইছো, সেই বাবেই শঙ্কৰ আমাৰ আৰু আমি শঙ্কৰৰ। পূজনীয় কৱিশ্ৰেষ্ঠ ৰবীন্দ্ৰনাথ ঠাকুৰৰ গানৰ ভাষাৰে কব লাগিলে—হে শ্ৰীমন্ত শঙ্কৰ! "আমাৰ পৰাণ যাহা চায়, তুমি তাই গো। তোমা ছাড়া এ জগতে, মোৰ কিছু নাই গো। আমি তোমাৰে পেয়েছি হৃদয় মাঝে, আৰ কিছু নাহি চাই গো।" সেই বাবেই আমি আমাৰ সকলো দিব লাগিলে অকাতৰে দিম, আমাৰ শঙ্কৰক ৰাখিম; সেই বাবে আমি প্ৰত্যেক অসমীয়াই এই নগণ্য অকিঞ্চিৎকৰ জীৱন পৰ্য্যন্ত পাত কৰি অসমৰ অতীত গৌৰৱ কাহিনীৰ বিজয় স্তম্ভৰ ওপৰত শঙ্কৰদেৱ-পতাকা ৰক্ষা কৰিম। ইংলণ্ডৰ এজন ডাঙৰ পণ্ডিত গ্ৰন্থকাৰে কৈছিল যে আমেৰিকাৰ ওপৰত ইংলণ্ডৰ অধিকাৰ আৰু য়ুৰোপ মহাদেশৰ ওপৰত যদি ইংলণ্ডৰ অধিকাৰ থাকিলহেঁতেন তাকো অম্লানবদনে আমি এৰি দিব পাৰিম, কিন্তু আমাৰ ছেক্সপিয়েৰক আমাৰ ইহ-জীৱনত একুবিন্দু তেজ থাকে মানে আমি এৰি দিব নোৱাৰোঁ। হেৰা অসমীয়া! আমিও সেইদৰে তেওঁৰ পুণ্য পবিত্ৰ তিথিৰ দিনা, সাম্বৎসৰিক উৎসৱৰ দিনা, বুকু ফিন্দাই কওঁহক আহা, যে যদিও অসমীয়া আজি দীন-দৰিদ্ৰ, অসমীয়াৰ আজি "নান্নং ন বস্ত্ৰং ন চ বাৰিপাত্ৰং", অসমীয়াৰ সেই পুৰণি কালৰ ভাৰত-ব্যাপ্য সংস্কৃত বিদ্যাৰ চৰ্চ্চা নাই, খ্যাতি নাই, জগতৰ অদ্বিতীয় শঙ্কৰাচাৰ্য্যৰ গুৰু অসমীয়া কুমাৰিল ভট্ট আজি যদিও অসমীয়াৰ নাই, যদিও আজি অসমীয়াৰ সেই [illegible] [illegible] [illegible] [illegible]. [illegible]

আইতে বিশ্বত কৰা বীৰ্য্য নাই, অসমীয়া সতী জয়মতীৰ সেই জগতৰ admiration শ্ৰদ্ধা আৰু ভক্তি আকৰ্ষণ কৰা অত্যাশ্চৰ্য্য সতীত্বৰ বীৰ্য্য আজি অসমত যদিও গুহানিহিত,—তথাপি আজিও আমাৰ শঙ্কৰদেৱ অসমত অসমীয়াৰ ঘৰে ঘৰে, গাঁৱে গাঁৱে, নগৰে নগৰে দেদীপ্যমান, আজিও শঙ্কৰদেৱৰ অমৃত-নিস্যন্দিনী লেখনীৰপৰা ওলোৱা দশম কীৰ্ত্তন আদি মহাশাস্ত্ৰসমূহে জীৱন্ত জলন্ত মূৰ্ত্তি ধৰি অসমীয়াক এন্ধাৰ বাটত উজ্জ্বল পোহৰেৰে বাট দেখুৱাই, দুখত সুখ, নিৰানন্দত আনন্দ, নিৰাশাত আশা দি, ইহকাল পৰকালৰ উন্নতি সাধন কৰি লৈ যাব লাগিছে। তেন্তে হে অসমীয়া! ভয় কি? আৰু সংশয় কি? আৰু আমনজিমনকৈ থাকা কিয়? বুকুত সাহ লৈ, অন্তৰত উছাহ লৈ, ঈশ্বৰৰ আশীৰ্ব্বাদ শিৰত লৈ, ভক্তি, বিনয়, নম্ৰতা অথচ মনুষ্যৰ জন্মস্বত্ব দাবীৰ কৱচেৰে আবৃত হৈ, ধৰ্ম্মৰ সুবিমল জ্যোতিৰে বিমণ্ডিত হৈ আগবাঢ়া। চোৱাঁ, ওপৰলৈ চোৱাঁ, অসমৰ বিজয়স্তম্ভৰ চূড়াত সেই শঙ্কৰৰ "নাম ডাঙৰ ডাঙৰ আখৰেৰে লেখা বিজয় পতাকা উৰি অসমীয়াৰ অতীত গৌৰৱৰ কাহিনী আৰু ভৱিষ্যততো তেনে গৌৰৱৰ আশাবাণী প্ৰচাৰ কৰিব লাগিছে।

দুই

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে কীৰ্ত্তনত কৈছে—

হৰি-নামে নামে নামে নিশ্চয়।
মোহোৰ জীৱন নামদে কয়॥
কলিৰ কালে কাৰ আত পৰ।
নাই নাই নাই গতি লোকৰ॥
নামদে দিলন্ত তিনি কতপা।
নামানিৰে আৰু কোননো লপা॥

আমিও বাৰে বাৰে কওঁ, বুকু ডাঠ কৰি কওঁ, মাহ ডাঙ্কি কওঁ, যে সকলো ধৰ্ম্মৰ সাৰ নামধৰ্ম্ম, সকলো ধৰ্ম্মৰে প্ৰাণ নামধৰ্ম্ম আৰু আমাৰ জীৱন হোৱা উচিত নামধৰ্ম্ম। নাম আৰু নামী অভেদ; যদিও আমি সদায় শুনি আহিছো, What is in a name? আমি কওঁ— But there is much in a real name. বস্তুৰ গুণ আৰু প্ৰকৃতিৰ সংক্ষেপ সংজ্ঞা নাম; নাম নামীৰ পুঞ্জীকৃত নিৰ্য্যাস, সত্তা, সূচী, সূত্ৰ। এক নিমিষৰ ভিতৰতে উচ্চাৰিত নামে বস্তুৰ বিস্তৃত সকলো গুণ হৃদয়ঙ্গম কৰায়। অৱশ্যে আমি এই কথা কওঁতে এনে বিধৰ নামলৈ চকু ৰাখি কোৱা নাই, যাৰ উদাহৰণ "কেলেহুৱা কুকুৰৰ কমললোচনও নাও"; বা "নিৰ্ধনীৰ ধনঞ্জয়" বা ধনী নাম, নাইবা ওকোন্দাসালীক পাৰ্ব্বতী বা গৌৰী বুলি বাপেকে মাকে মৰম কৰি দিয়া নাম; নাইবা মানুহ গৰু মৰা দগধা চোৰ আৰু অমাইতং দুষ্টক "সুশীল" বুলি মাক-বাপেকে সকতে দিয়া নামৰ অসদ্ব্যৱহাৰ। নাম নোহোৱা সভ্য বা মনুষ্য সমাজ অসম্ভৱ, মানুহৰ প্ৰকৃতিগত ধাৰণা অসম্ভৱ। অখণ্ড অব্যয় অনন্ত সৎ-চিৎ-আনন্দময় পৰমেশ্বৰৰ ধাৰণা সীমাবদ্ধ ক্ষুদ্ৰ মনুষ্যৰ হৃদয়ত সম্ভৱ মাত্ৰ নামৰ দ্বাৰায়। অনন্ত কোটী ব্ৰহ্মাণ্ডৰ অধিকাৰীক বান্ধি আনি ক্ষুদ্ৰ মনুষ্যৰ হৃদয়-মন্দিৰত স্থাপন কৰিব পাৰে মাথোন নাম-জৰীয়েই। নাম আৰু নামীৰ অভেদত্বৰ নিমিত্তেই নামক নাম-ব্ৰহ্ম বোলা হয়। নাম-ব্ৰহ্ম, শব্দ-ব্ৰহ্ম, নাদ-ব্ৰহ্ম ব্ৰহ্মৰেই স্বৰূপ। সৃষ্ট জগতৰ আদি নাদ, মানুহৰ বাক্য স্ফুৰণৰ প্ৰথম প্ৰয়াস—ওঁ এই আখৰটো বা শব্দটো এই বাবেই ইমান পৱিত্ৰ, ইমান গুৰুত্বৰ আৰু এই বাবেই বেদৰপৰা আৰম্ভ কৰি সকলো শাস্ত্ৰই ইয়াক পৰমব্ৰহ্মবাচক বুলিছে। গীতাই এই বাবেই কৈছে—"ওঁ ইত্যেকাক্ষৰং ব্ৰহ্ম।" অ, উ আৰু ম এই তিনটি ধ্বনি মিলি ওঁ হৈছে। অ মানে পালন কৰ্ত্তা বিষ্ণু, উ মানে সংহাৰকৰ্ত্তা শিৱ আৰু ম মানে সৃষ্টিকৰ্ত্তা ব্ৰহ্মা। সৃষ্টি, স্থিতি আৰু লয়ৰ অধিকাৰী পৰম ঈশ্বৰৰ স্বৰূপক প্ৰণৱ ওঁ শব্দই একে আখৰেৰে চমুকৈ এই মুহূৰ্ত্ততে বিজ্ঞাপন কৰে দেখি ওঁ ইমান পৱিত্ৰ, ইমান মূল্যবান, আৰু এই বাবেই ওঁ উচ্চাৰণ আৰু জপৰ বিধান। বাৰে বাৰে একেটা কথাকে উচ্চাৰণ কৰি তাৰ মৰ্ম্ম বিশেষভাবে হৃদয়ত অঙ্কিত কৰাকে জপ কৰা বোলে। এয়েইতো নামধৰ্ম্ম আৰু এই মূল প্ৰণালীৰেইতো এই কালত বিশেষভাবে প্ৰচাৰ কৰেঁাতা শ্ৰীশঙ্কৰদেৱ। ঈশ্বৰক সুমৰিবৰ এই মূল আৰু একমাত্ৰ বিশিষ্ট প্ৰণালী কালক্ৰমত আবৰ্জ্জনাৰে ঢাক খাই গুপ্ত বা লুপ্ত হৈ পৰিছিল দেখি সেই আবৰ্জ্জনাৰাশি দূৰ কৰি এই নামধৰ্ম্ম প্ৰকাশ কৰি জীৱৰ কল্যাণ কৰিলে শ্ৰীশঙ্কৰদেৱ, শ্ৰীচৈতন্যদেৱ প্ৰভৃতি চাৰিদিশে চাৰিজন মহাপুৰুষ অৱতাৰ হৈ। সৃষ্টি স্থিতি লয়ৰ কৰ্ত্তা ওঁ একাক্ষৰ-বাচক পৰমেশ্বৰৰ আনন্দময় গুণ আৰু সৰ্ব্বভূতৰ হৃদয়ত ৰমণ কৰি সকলোকে সন্তোষ দিওঁতা গুণ, এই দুটা, প্ৰণৱৰ পৰা মথি সাৰ কাঢ়ি মানুহৰ মনত সুমধুৰ ৰস সিঁচি মানুহক সজীৱ কৰা হল ৰাম আৰু কৃষ্ণ এই দুটা নামেৰে। এনে সুমধুৰ সুমঙ্গল ৰাম-কৃষ্ণ নাম শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম-জাতি-বৰ্ণ নিৰ্ব্বিশেষে সকলোৰে সুপ্ৰাপ্য কৰি প্ৰচাৰ কৰি জগতৰ উপকাৰ কৰিলে মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে। ব্ৰাহ্মণ আৰু বেদৰ হেন্তাৰ ভাঙি ভৱপৰা সাৰকো সাৰ, অথচ সুমধুৰতো সুমধুৰ, উজুতো উজু, পৰব্ৰহ্মৰ "সত্যং শিৱং সুন্দৰং" গুণ প্ৰকাশক ৰাম-কৃষ্ণ নামৰ অমৃত সকলোকে বিলাই দি পৰম উপকাৰ কৰিলে কৃপালু শঙ্কৰে। এনে শঙ্কৰৰ

উপকাৰ এনে কোন অগুণকাৰী অসাঠনীয়া অভাজন আছে যে পাহৰিব পাৰে ?

নাম-ব্ৰহ্মৰ উপাসনা যে অকল হিন্দুৰ ভিতৰতে আছে এনে নহয়, খৃষ্টীয়ান ধৰ্ম্মতো নাম বা শব্দ-ব্ৰহ্ম বা ঈশ্বৰ বা 'গড্' বুলি স্বীকৃত, যদিও আজিকালি অনেক খ্ৰীষ্টানৰ সেই কথা বৰকৈ মনত বহি থকাটো দেখা নেযায়। বাইবেলত আছে—"In the beginning was the Word, and the word was with God and the Word was God অৰ্থাৎ আদিতে শব্দ বা বাক্য আছিল ; সেই বাক্য পৰমেশ্বৰৰ সৈতে আছিল, আৰু সেই বাক্যই পৰমেশ্বৰ। চেইণ্ট্ জনৰ গছ্পেল মেলিলেই প্ৰথমতে এই কথা দেখিবলৈ পোৱা যায়। এই Word শব্দ বা ওঁ-কাৰ নাদেই বেদৰ পৰমব্ৰহ্ম, আৰু পিছৰ খ্ৰীষ্টানৰ Lord ; God ; আৰু হিন্দুৰে ধাৰণা কৰা ঈশ্বৰৰ অতি সুমধুৰ প্ৰেম, কৰুণা আৰু সৰ্ব্বভূতৰমণ ৰাম আৰু কৃষ্ণ নাম। যি জাতিৰ যি ধৰণৰ শব্দই নিৰ্গুণ পৰমব্ৰহ্মক সগুণভাবে অন্তৰঙ্গ কৰি উপলব্ধি কৰায়, সেয়েই নাম, সেয়েই ভৱসিন্ধু-তৰণী নামব্ৰহ্ম।

শব্দই আৰু পৰমাৰ্থবোধক শব্দই মানুহক অন্য জীৱৰ ওপৰত শ্ৰেষ্ঠতা দান কৰি প্ৰকৃত মনুষ্যত্ব প্ৰদান কৰিছে। শব্দ অত্যন্ত শক্তিশালী। এই কথা অলপ দকৈ ভাবি চালেই বুজিব পাৰি। অৰ্থবোধক শব্দ যে শক্তিশালীয়েই, আমাৰ প্ৰচলিত বোধগম্যতাৰ বিপৰীত অৰ্থাৎ আমাৰ পক্ষে সাধাৰণতঃ নিৰৰ্থক বুলি ভবা শব্দও যে শক্তিশালী এই কথাও অলপ ভাবিলেই দেখা যায়। এটা মাত নুফুটা অকণমান কেচুৱা ল'ৰাক আটাহ পাৰি বা কঠুৱাকৈ হুকি মাৰি দি কোনো কথা এটা কলে সি ভয় খায় বা কান্দি পেলায়, কিন্তু মিহিকৈ চুপ্চুপাই এটা কথা কলে সি সন্তোষ পাই হাঁহে। মানুহৰ কথা নুবুজা জন্তু এটাকো উচ্চাৰিত শব্দৰ তাৰতম্য অনুসাৰে ভয় খুৱাব বা আনন্দ দি বশ কৰিব পাৰি। সুললিত মাতৰ চৰাইৰ শব্দ শুনি আমি মোহ যাওঁ, যদিও সেই শব্দেৰে সেই চৰায়ে আনন্দ প্ৰকাশ কৰিছে নে বিৰক্তি প্ৰকাশ কৰিছে, চৰাইটোৱেহে জানে। শুকান শিলত বা খহটা ঠাইত ঘঁহি উলিয়া কেৰকেৰীয়া মাতে আমাৰ মনত প্ৰভাৱ বিস্তাৰ কৰি বিৰক্তি জন্মায়, সুললিত বেহেলা বা বীণৰ গুণত ঘঁহনি খাই উঠা শব্দই মনত তৃপ্তি আৰু আনন্দ দিয়ে। আমি নজনা ভাষাত—যেনে ইটালীয় বা জাৰ্ম্মান ভাষাত শোকৰ বা প্ৰেমৰ বা উদগনিৰ গান শুনিলে যদিও আমি কথাবোৰৰ মানে বুজিব নোৱাৰো, তথাপি তাত উচ্চাৰিত শব্দই আমাৰ মনত শোকৰ বা প্ৰেমৰ বা উদগনিৰ ভাব জগাই দিয়ে। এই লেখকৰ কেঁচুৱা ছোৱালী এজনীয়ে, তাইৰ মাত ফুটাৰ আগেয়ে চেতাৰ বা পিয়েন'ত কোনোবাই দুখৰ গান বজোৱা শুনিলে ফেকুৰি কন্দা আৰু হাঁহিৰ গান বজোৱা শুনিলে আনন্দ প্ৰকাশ কৰা লেখকে সততে দেখিছিল।

গ্ৰীচৰ অৰ্ফিয়চৰ (Orpheus) বীণৰ শব্দৰ মধুৰ ধ্বনিয়ে গছ, পৰ্ব্বত, পশুপক্ষী আদিকো বিচলিত কৰা, নবোৱা প্ৰবাদ প্ৰচলিত আছে। আকবৰ বাদছাহৰ সভাত এদিন দুপৰীয়া সঙ্গীতবিদ্ তানসেনে এটা ৰাতিৰ ৰাগ ধৰিলত সেই ৰাগৰ ধ্বনি যিমান দূৰলৈকে গৈছিল সেই ডোখৰ ঠাইক ৰাতিৰ এন্ধাৰে ঢাকিছিল বুলি প্ৰবাদ প্ৰচলিত আছে। আকবৰৰে ৰাজসভাৰ আৰু এজন সঙ্গীত-শৰদাৰদ গোপাল নায়কক এদিন আকবৰে দীপক ৰাগ গাবলৈ ক'লত, গোপালে এডিঙিলৈকে পানীত নামি ৰাগ ধৰিলত পানী তপত হৈ হৈ শেষত নিজেই পুৰি মৰিল, এনে প্ৰবাদ প্ৰচলিত আছে। হলায়ুধ মিশ্ৰই কৰা "সেক-শুভোদয়া" নামৰ এখন প্ৰাচীন সঙ্গীত বিষয়ৰ গ্ৰন্থত আছে, বিদ্যুৎপ্ৰভা নামেৰে এজনী নৰ্ত্তকী গায়িকাই এদিন ৰজাৰ সভাত "সুহৈ" (সুহাই) নামৰ ৰাগ গাইছিল। ৰজাৰ ৰৰচ'ৰাৰ কাষতে এটা পাটনাদৰপৰা তেনে সময়তে এজনী তিৰোতা মানুহে পানী তুলিবলৈ আহোঁতে সেই ৰাগ শুনি কাণ্ডজ্ঞান হেৰুৱাই কলহৰ ডিঙিত জৰী নলগাই নিজৰ সৰু ল'ৰাটোৰ ডিঙিত জৰী লগাই তাক পাটনাদত পেলাই জুবুৰিয়াই জৰীডাল টানি ল'ৰাটোক ওপৰলৈ তুলিলে, ল'ৰাটো পানী খাই মৰিল। সেই কাণ্ড দেখি ওচৰত থকা মানুহে হায়েবিয়ে কৰাত ৰজাই শুনি মানুহজনীক ধৰাই নি, তাই কিয় তেনে কৰিলে বুলি সুধিলত তাই কলে—"স্বৰ্গদেও, এইটো মোৰ ল'ৰা ; স্বৰ্গদেৱৰ সভাৰপৰা গোৱা ৰাগ এটা মই শুনি মোৰ জ্ঞান হৰি গৈ তেনে কাম কৰিছিলোঁ।" ইয়াৰ পিছত ল'ৰাটোৰ ভৰি দুটা ধৰি তাক ঘূৰালত তাৰ মুখেদি পানীবোৰ ওলাই গৈ ল'ৰাটো ভাল হল। এদিন সেই ৰজাৰ সভালৈকে বুচন মিশ্ৰ নামেৰে এজন গায়কে আহি 'পটমঞ্জৰী' নামেৰে এটা ৰাগেৰে গান কৰিলত ৰাজসভাৰ ওচৰত থকা আহত গছ এজোপাৰ আটাইবোৰ পাত সৰি পৰিছিল। জয়দেৱ মিশ্ৰ নামৰ সঙ্গীতজ্ঞ পণ্ডিত এজনৰ বৈণীয়েক পদ্মাৱতীয়ে গঙ্গাস্নান কৰিবলৈ যাওঁতে গান্ধাৰ ৰাগ ধৰিলত গঙ্গাৰ ঘাটৰ ইপাৰে যিমানবোৰ নাও বন্ধা আছিল, এটাইবোৰৰ ডোল ছিগি সৈ টান খাই পদ্মাৱতীৰ কাষে আহিছিল। পদ্মাৱতীৰ স্বামী জয়দেৱে এদিন জাৰকালি বসন্ত ৰাগ গাওঁতে পাত নথকা গছবোৰত কুঁহিপাত মেলিছিল। Oriental hyperbole অৰ কথা বুলি যদি কোনোৱে এইবোৰ বৃত্তান্ত নপতিয়ায়ও, এইটো কিন্তু স্বীকাৰ কৰিবই লাগিব যে পূৰ্বকালত ভাৰতত সঙ্গীত শাস্ত্ৰৰ চৰমোৎকৰ্ষ সাধিত

হৈছিল। যদিও এনেধৰণৰ আখ্যায়িকাক আজিকালি মানুহে সাধুকথাৰ শাৰীত পেলায়, তথাপি শব্দশাস্ত্র সঙ্গীতশাস্ত্রত পাৰদর্শী আগৰ কালৰ হিন্দুৰ পক্ষে শব্দৰ এনে মহাশক্তিৰ সাধনা আৰু তাক আয়ত্ত কৰা অসম্ভৱ নাছিল, বৰং অতিশয় সম্ভৱপৰ আছিল। অসমতো এনে শব্দবিদ্যা, সঙ্গীত সাধন বিদ্যাৰ চৰ্চ্চা পূৰ্ব্বকালত বিশেষৰূপে আছিল। গুৰু চৰিত্রত আছে—মহাপুৰুষ শ্রীশঙ্কৰদেৱে চিহ্নযাত্রাৰ ভাওনা কৰোঁতে—

গায়ন বায়ন বৰ ধেমালি জুৰিলা।
বৰগায়নৰ বেশে শঙ্কৰ উঠিলা ॥
উদাৰ সহিত বৰ গোবিন্দ উঠিল।
আনো ভক্তগণে পাছে গীত গাইতে লৈল ॥
প্রথমে শঙ্কৰদেৱে ৰাগ তুলিলেক।
উদাৰ প্রভৃতি ভক্তে দোহাৰে প্রত্যেক ॥
তিনিৰ ৰাগক পাছে বলায়ে জুৰিলা।
ৰায়ুমণ্ডলী ৰাগ শঙ্কৰেও দিলা ॥
ৰাগ উচ্চাৰণে মহা বতাস মিলিল।
নিকটৰ পাতিসোন্দা বৃক্ষত লাগিল ॥
দুই ফাকি দেন্তে বৃক্ষে যত পাত ছিল।
সকলো সৰিয়া তৈতে তৈলন্ত নিৰ্ম্মূল ॥
শেষ দুয়ো ফাকি দেন্তে ষোসক গুণে পাছে।
পূৰ্ণ কৈল পত্র সব সেহি বৰ গাছে ॥

আমি যাক নিৰৰ্থক শব্দ বোলোঁ, তাৰো এনে প্রভাৱ; অৰ্থবোধক শব্দৰতো কথাই নাই। ভৱদুখহাৰী আনন্দময় ঈশ্বৰবাচক নামৰ এই বাবেই অনন্ত মহিমা,—তেহেলে লওঁতাজনে সেই নাম জ্ঞানতে লওক বা অজ্ঞানতে লওক, শ্রদ্ধাতে লওক বা হেলাতে লওক। এই বাবে শ্রীশঙ্কৰদেৱে কীৰ্ত্তনত লেখিছে—

হৰিনামে সব পাতক দহয়,
জ্ঞানে বা অজ্ঞানে বোলে।
যেন হুতাশনে শুকান কাষ্ঠক
অতি অপ্রয়াসে পোলে ॥

মধুৰমধুৰমেতন্মঙ্গলং মঙ্গলানাং।
সকলনিগমবল্লীসৎফলং চিৎস্বৰূপং ॥
সকৃদপি পৰিগীতং শ্রদ্ধয়া হেলয়া বা।
ভৃগুবৰ নৰমাত্রং তাৰয়েৎ কৃষ্ণনাম ॥

সকল নিগম-লতা তাৰ অবিনাশী ফল
কৃষ্ণনাম চৈতন্য স্বৰূপ।
সুমধুৰ সুমঙ্গল শ্রদ্ধাৰে হেলায় লৈয়া
নৰমাত্র তৰে ভৱ-কূপ ॥ (ঘোষা)

এই বাবে অজামিলে, অন্তকালত পুতেকৰ নাম ধৰি 'নাৰায়ণ' বুলি মাতিলত তেওঁৰ সৰ্ব্বপাপ নষ্ট হৈ উদ্ধাৰ পালে।

পুত্র-নাম ধৰি উপহাস্য কৰি
হেলাত যি বোলে হৰি।
তাহাৰ সমস্ত পাতক দহয়,
জানা তাক নিষ্ঠ কৰি ॥ (কীৰ্ত্তন)

নামৰ গোপ্য মহিমাই (intrinsic value) এনে। নিৰৰ্থক শব্দ এটাবে যদি আমি প্রত্যক্ষ শক্তি দিনৌ এনেকৈ দেখোঁ যে দেখি অবাক হওঁ, পৰম মঙ্গলময় পৰম ঈশ্বৰৰ আনন্দময় হৰিনাম শক্তিৰ অপাৰ মহিমা থকাত সন্দেহ কি?

নাম পঞ্চানন নাদে পলায়ত
পাপ দন্তী ভয়ভীত। (শঙ্কৰদেৱ)

তাৱদেকে মহা পাতক-হস্তীৰ
থাকে মহা গৰ্ব্ব-মদ।
যাৱে ৰামনাম প্রমত্ত সিংহৰ
নুশুনে ধ্বনি শব্দ ॥ (কীৰ্ত্তন)

এই দেখি গুৰুজনে লেখিছে—

নামৰ মহিমা কহন্ত কেশৱে
আপুনি আশ্চৰ্য্য ভৈয়া।
শৰীৰ ৰোমাঞ্চ বচন নোলায়
নিচুকি স্তম্ভিয়া ৰৈলা ॥

এই বাবেই নাম সকলো ধৰ্ম্মৰ ওপৰত। সকলো ধৰ্ম্মৰ 'ওপৰে বসিয়া' হৰিৰ নাম প্রকাশে বুলি এই বাবেই ঘোষাত কৈছে। এই বাবেই ভক্তই প্রভু ৰামক স্তুতি কৰি কৈছে—

হে প্রাণপ্রভু ৰঘুপতি ৰাম ৰাম ৰাম ৰাম
তোমাত কৰিয়া তযু গুণ-নাম ছাৰ।
বিনা সেতু বন্ধ কৰি নৰে, ৰাম ৰাম ৰাম ৰাম ৰাম
অপাৰ সংসাৰ সমুদ্রৰ হোৱে পাৰ ॥ (ঘোষা)

এইবোৰ অতিৰঞ্জিত কথা নহয়. ভকতৰ প্রাণৰ প্রকৃত অনুভূতিৰ কথা; ঈশ্বৰৰ পদ-পঙ্কজত ভকতে নিমগন হৈ অনেক সাধনা কৰি পোৱা কথা। আমি বাহিৰৰপৰা এনে কথাক অতিৰঞ্জিত আৰু ভুল বুলি আমাৰ মূৰ্খতাৰ চিনাকি দিওঁ মাথোন। ৰাম কৃষ্ণ হৰি নামৰ, ওঁ নামৰ অৰ্থৰ মৰ্ম্ম অবগাহ কৰি তাক সাধনা কৰি আমাৰ অস্তিত্বৰ প্রত্যেক অণু-পৰমাণ, প্রত্যেক কণাৰ চেতনা কৰি লব নেজানি, নোৱাৰি, আৰু কৰিবলৈ চেষ্টা নকৰিহে আমি তাক ভাটৌৰ মাত বুলি উৰাই দি অধোগামী হৈছোঁহক। নামক আমাৰ সৰ্ব্বস্ব কৰিব খুজিলে, আৰু কৰি কৰ্ম্মবদ্ধ এৰাই ভৱ-সংসাৰ তৰিব খুজিলে তাক খাওঁতে শোওঁতে উঠোঁতে বহোঁতে লৈ জপ কৰি কৰি থাকিব লাগিব, amateur ভাবে অৰ্থাৎ চেলেংপেতেং কৈ লজে নলব' নজনা তাৰ beauty, তাৰ

মহিমা তোমাৰ আগত প্ৰকাশ নহয়। সাধনা, সাধনা লাগে, তেহে সম্পূৰ্ণ সিদ্ধি লাভ।

ৰাম নাম জপ ভাই, ৰাম নাম জপ।
ইহাৰ সমান নোহে মন্ত্ৰ তন্ত্ৰ তপ ॥ (শঙ্কৰদেৱ)

এইফাকি সাধকৰ হিয়াৰ বাণী, অনেক সাধনা কৰি পোৱা সিদ্ধান্তৰ কথা।

ভগৱন্তই গীতাত কৈছে—"যজ্ঞানাং জপযজ্ঞোহস্মি।" সকলো যজ্ঞৰ ভিতৰত নাম জপৰূপী যজ্ঞহে তেওঁ। নামাত্মক উপাসনাই মানুহৰ একমাত্ৰ মুক্তিলাভৰ উপায়, আৰু ইয়েই ভাৰতৰ প্ৰাচীন ধৰ্ম্ম। শিৱ, নাৰদ, শুকদেৱ, প্ৰহ্লাদ, জনক প্ৰভৃতি মহাযোগী মহাভক্তসকলে নামধৰ্ম্মৰ অমিয়ামাধুৰী পান কৰি থাকিবলৈহে অভিলাষী। মহাযোগী, মহাতাপসসকলে মহাযোগ, কঠোৰ তপস্যা কৰি satisfied নাহৈ, সন্তোষ নলভি,—"শুদ্ধ নহল, দোষ বৈ গল, ছিদ্ৰ থাকি গল,—" Conscience বা বিবেক বা অন্তৰাত্মাৰপৰা এনে সাৰধান কৰা বাণী শুনি শেহত নামহে সৰ্ব্বছিদ্ৰ সৰ্ব্বদোষহাৰী পৰম আনন্দ পৰম সন্তোষদায়ক বুলি থিৰ কৰি ব্ৰহ্মোপাসনাৰ প্ৰকৃত পদ্ধতি প্ৰচাৰ কৰি গৈছে।

তন্ত্ৰ মন্ত্ৰ আনো দ্ৰব্য অনেক।
দেশ কাল পাত্ৰ ছিদ্ৰ যতেক ॥
পূৰ্ণ নোহি যজ্ঞৰ অঙ্গ।
হৰি নামে কৰে সবে সুসাঙ্গ ॥
(কীৰ্ত্তন)

মৃত্যুৰ সময়ত অন্তকৰ হাতত পৰিলে, তপ-জপ যাগ-যজ্ঞ কৰবাত থাকে; তেতিয়া একমাত্ৰ এই হৰি নামকহে মানুহে (যি সম্প্ৰদায়ৰে হওক) সাৰটি ধৰে।—

তপ জপ তীৰ্থ ব্ৰত যাগ যোগ জ্ঞান দান
কাকো নুসুমৰে মৃত্যু বেলা।
মৰন্তাজনক বেচি বোলে সৰে ৰাম বোল
হেন নামে এতিক্ষণ হেলা ॥ —ঘোষা

মৃত্যুৰ অধিকাৰী মহাভক্ত ধৰ্ম্মৰাজ যমে তেওঁৰ দূতসকলক নামৰ পৰম মহিমা জানি সেই দেখি কৈছিল :—

দেৱ ঋষি নৰ সিদ্ধ বিদ্যাধৰ গন্ধৰ্ব্ব চাৰণগণে।
হৰিৰ নামৰ গোপ্য মহিমাক তোসবো কেহো নাজানে ॥
ব্ৰহ্মা হৰ মনু কপিল কুমাৰ শুক ভীষ্ম বলি ৰায়।
প্ৰহ্লাদ নাৰদ জনক আদিৰে বাৰজন সমুদায় ॥
পৰম গুপুত হৰিনাম ধৰ্ম্ম জানি আছো ভক্তভাৱে।
যাক আচৰিলে ঠাৱতে বলিয়া দুৰ্লভ মোক্ষক পাৱে ॥
হৰিত ভকতি কৰে সৰ্ব্বদায় কৰিয়া কীৰ্ত্তন কৰ্ম্ম।
মনুষ্য লোকত এহিমানে মাত্ৰ পুৰুষৰ শ্ৰেষ্ঠ ধৰ্ম্ম ॥
(কীৰ্ত্তন)

এনে গুপুতৰত্ন বেদ, ভাৰত, গীতা ভাগৱত চাই উলিয়াই আনি এই কালৰ উপযোগী জানি পুনৰ প্ৰচাৰ কৰিলে আমাৰ শঙ্কৰদেৱে। এই কথা মাধৱদেৱে গীতেৰে যেনেকৈ কৈছে—তাক এশবাৰ আমি সত্য সত্য বুলি স্বীকাৰ কৰোঁ।—

চাৰি বেদ পুৰাণ যত ভাৰত গীতা ভাগৱত চাই।
ওহি সাৰ বিচাৰ কয় ভাষত, হৰি বিনে তাৰক নাই ॥
সনক সনাতন শুক মুনি নাৰদ চতুৰ্বয়ন শূলপাণি।
সহস্ৰবয়ন আদি গাৱত হৰিগুণ, সকল নিগম তত্ত্ববাণী ॥
কৃষ্ণনামযশ পৰম অমিয়া-ৰস গাৱত সুকৃত নিশেষং।
পৰম মূৰুখমতি কহয় মাধব দীন, শঙ্কৰ গুৰু উপদেশং ॥

দেৱতা আছে। আমি পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ, প্ৰত্যক্ষ আৰু বাস্তৱ জগতত নিমগন হৈ যিসামকে প্ৰত্যক্ষবাদী হৈ আমাৰ ভাৰতীয় মহাজ্ঞানী মহাচিন্তাশীল ঋষিমুনিসকলক কল্পনাবিহাৰী বুলি ঔদ্ধত্য প্ৰকাশ কৰোহঁক, এইটো নিশ্চয় নিশ্চয় যে তেওঁলোক সাধোন কল্পনা ৰাজ্যত থকা সাধুকথা ৰচোঁতা বা বিশ্বাস কৰোঁতা মানুহ নাছিল। তেওঁলোকে আধ্যাত্মিক জ্ঞান-নেত্ৰ উন্মিলিত কৰি দেখিছিল যে এই সংসাৰেই মানুহৰ এক মাথোন শেষ সংসাৰ নহয়, আধ্যাত্মিক জগৎ বুলিও এখন সংসাৰ মানুহৰ এই জীৱনৰ অন্তত আছে। আজিকালিৰ প্ৰত্যক্ষবাদী বৈজ্ঞানিক দাৰ্শনিকসকলে এই জড় সংসাৰক যেনেকৈ তন্ন তন্নকৈ আলোচনা কৰিছে, তেওঁলোকেও সেইদৰে আধ্যাত্মিক জগতকো পুঙ্খানুপুঙ্খৰূপে আলোচনা কৰি তাৰ তথ্য নিৰ্ণয় কৰিছিল আৰু সেই আলোচনাৰ প্ৰণালী অধিৰোহ অৱৰোহ আজিকালিৰ দৰেই খুব বৈজ্ঞানিক আছিল। আমি পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ দেৱতাৰ অস্তিত্ব নেমানিব পাৰোঁ, কিন্তু সেই বুলি তেত্ৰিছ কোটী দেৱতা শূন্যত পৰিণত নহয়। সকলো ধৰ্ম্মতে দেৱতাৰ অস্তিত্ব স্বীকৃত হৈছে। আমাৰ মৃত্যু হলেই আমাৰ আমিত্বৰ ওৰ নপৰে, মৃত্যুৰ পাছতো যে আমাৰ আমিত্ব সম্পূৰ্ণৰূপে বৰ্ত্তমান থাকে, বৰং স্থূলদেহৰ পৰা মুক্ত হৈ আত্মচৈতন্যৰ বিশেষভাৱে বিকাশ হয়, পাশ্চাত্য পণ্ডিতসকলেও এই কথা লাহে লাহে বুজি আহিবলৈ ধৰিছে। বিলাতৰ সৰ্ব্বশ্ৰেষ্ঠ বৈজ্ঞানিক ছাৰ অলিভাৰ লজে আজি বছৰদিয়েকৰ আগেয়ে কোৱা এই কথা অৱশ্যে অনেকে কাকতত পঢ়িছে। তেওঁ এটা বক্তৃতাত কৈছিল—

In justice to myself and my co-workers, I must risk annoying present hearers, not

only by leaving on record our conviction that occurrences now regarded as occult can be examined and reduced to order by methods of science carefully and persistently applied but by going further and saying with the utmost brevity that already the facts so examined have convinced me that memory and affection are not limited to that association with matter by which alone they can manifest themselves here and now and that personality persists beyond bodily death.

** The methods of science are not the the only way, though they are our way of being piloted to truth.

দুষ্কৰ্ম্মৰ দ্বাৰা যেনেকৈ ভূত (Evil spirit) হয়, সত্‌ কৰ্ম্মৰ দ্বাৰা তেনেকৈ Good spirit angel অৰ্থাৎ দেৱতা হয়, এইটো হিন্দু ঋষিৰ দৃষ্টৰ সত্য সিদ্ধান্ত। তেওঁ দেখিছিল, পুণ্য কাৰ্য্যৰ ফলত আৰু নিৰৱচ্ছিন্নভাৱে সত্‌ চিন্তা, সত্‌ কাৰ্য্যৰ ফলত ক্ৰমোন্নতিৰ নিয়ম মতে Good spi it উৰ্দ্ধগামী হৈ হৈ দেৱতাত পৰিণত হয়গৈ। পৰলোকতো সত্‌ চিন্তাৰ সত্‌ কাৰ্য্যৰ ফলত কালক্ৰমত জীৱই দেৱতাৰ চাপে চাপে উঠি গৈ ইন্দ্ৰত্ব পৰ্য্যন্ত পাযগৈ। ইন্দ্ৰ, চন্দ্ৰ, বায়ু, বৰুণ প্ৰথমতে আমাৰে নিচিনাহে জীৱ আছিল। লাহে লাহে সত্‌ কাৰ্য্যৰ দ্বাৰা তেওঁলোক সেইবোৰ পদৰ অধিকাৰী হৈছে। ঈশ্বৰৰ বিশ্বৰাজ্যত সত্‌ কাৰ্য্যৰ ফলত যেনেকৈ ক্ৰমোন্নতি ধ্ৰুব সত্য, অসত্‌ কাৰ্য্যৰ ফলত অৱনতিও তেনেকৈ ধ্ৰুব সত্য।

নামেৰে ঈশ্বৰক উপাসনা কৰাৰ বিশেষত্ব এই যে এই পূজা, এই উপাসনাত কোনো প্ৰকাৰ জাতিবৰ্ণ বিচাৰৰ প্ৰয়োজন নাই, ব্ৰাহ্মণৰপৰা চণ্ডাললৈকে সকলো এই পূজাৰ অধিকাৰী। এই পূজাক দেশ কাল পাত্ৰৰ বিচাৰ আৰু আন আন কোনো ছিদ্ৰই পৰশিব নোৱাৰে। আমাৰ মহাপুৰুষৰ দৰে চৈতন্যদেৱেও এই নামধৰ্ম্ম প্ৰচাৰ কৰি কৈছে—

কলিযুগে নামৰূপে কৃষ্ণেৰ অৱতাৰ।
নাম হইতে হয় সৰ্ব্ব জগত নিস্তাৰ॥

ছান্দোগ্য উপনিষদে কৈছে—"ওঁমিত্যেতদক্ষৰমুদ্গীথমুপাসীত" এই ঈশ্বৰবাচক প্ৰণৱ-নামেই "মধুৰমধুৰমেতৎ মঙ্গলং মঙ্গলানাং....তাৰয়েৎ কৃষ্ণ নাম।" এনে কৃষ্ণ নাম, যাৰ অন্বয়—

কৃষিৰ্ভূৰ্বাচকঃ শব্দো ণশ্চ নিবৃত্তিবাচকঃ।
তয়োৰৈক্যং পৰং ব্ৰহ্ম কৃষ্ণ ইত্যভিধীয়তে।
(মহাভাৰত)

কৃষ্ হেন শব্দ ইটো পৃথিবীবাচক ভৈল
ণ আনন্দত প্ৰবৰ্ত্তয়।
দুইৰ এক পদ ভৈল পৰমব্ৰহ্ম-ৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয়॥ (ঘোষা)

অতি সুমধুৰ ৰাম বোলা ভাই! যি ৰাম নাম—

ৰমন্তে যোগিনোঽনন্তে সত্যানন্দে চিদাত্মনি।
ইতি ৰামপদেনাসৌ পৰং ব্ৰহ্মাভিধীয়তে॥

অনন্ত চৈতন্য আত্মা সদানন্দ ঈশ্বৰত
যোগীজনে সদায় ৰমন।
এহি হেতু ৰাম-পদে পৰমব্ৰহ্ম স্বৰূপত
কহে ৰাম মানৱ সমূহ। (ঘোষা)

আমাৰ পাপতাপ হৰণ কৰোঁতা ঈশ্বৰক হৰি বোলা ভাই!

হৰেৎ পাপঞ্চ তাপঞ্চ ভক্তানাঞ্চ হৰেৎ মনঃ।
য এব স হৰিঃ প্ৰোক্তঃ সৰ্ব্বৈৰ্ভক্তসাধকৈঃ॥

স্মৰণ মাত্ৰকে যিহেতু দুৰ্ঘোৰ
সংসাৰ দুখ হৰন্ত।
এহি হেতুতেসে ঈশ্বৰক হৰি
বোলয় যত মহন্ত॥ (ঘোষা)

চোৰাচোন, মহাভক্ত মহাদেৱ শিৱই মহানিৰ্ব্বাণতন্ত্ৰত জগন্মাতা পাৰ্ব্বতীদেৱীৰ উত্তৰত কৈছে—

কলৌ পাপযুগে ঘোৰে তপোহীনেঽতিদুস্তৰে॥
নিস্তাৰবীজমেতাৱৎ ব্ৰহ্মমন্ত্ৰস্য সাধনম্॥
সাধনানি বহুক্তানি নানাতন্ত্ৰাগমাদিষু।
কলৌ দুৰ্ব্বলজীৱানামসাধ্যানি মহেশ্বৰি॥
তেষাং হিতায় মোক্ষায় ব্ৰহ্মমাৰ্গোঽয়মীৰিতঃ॥

নাদ-ব্ৰহ্ম, শব্দ-ব্ৰহ্ম, নাম-ব্ৰহ্ম-এইবোৰ একে কথাই। নামেই ব্ৰহ্ম, নাম গালেই ব্ৰহ্মৰ উপাসনা হয়।

ন নাদেন বিনা জ্ঞানং ন নাদেন বিনা শিৱঃ।
নাদৰূপং পৰং জ্যোতিৰ্নাদৰূপী স্বয়ং হৰিঃ॥

অৰ্থাৎ নাদ (শব্দ বা নাম) ব্যতীত জ্ঞানেই নহয়। মঙ্গলময় শিৱ শব্দবিৰহিত নহয়। জ্যোতিৰ্ম্ময় পৰমব্ৰহ্ম নাদৰূপী হৰি পৰমেশ্বৰ স্বয়ং নাদৰূপী অৰ্থাৎ নামৰূপী।

এই নামৰূপী পৰমব্ৰহ্মৰ উপাসনা আমাৰ মিত্ৰজন পৰম কৃপালু শঙ্কৰদেৱে প্ৰচাৰ কৰি গ'ল, সেই জনৰ ওচৰত কৃতজ্ঞতা জনাই—

নাম লোৱা বাপুসকল নকৰিবা হেলা।
নামে সে ৰাখিব যোৰ সঙ্কটৰ বেলা॥
হৰেৰ্নাম হৰেৰ্নাম হৰেৰ্নামৈৱ কেৱলং।
কলৌ নাস্ত্যেৱ নাস্ত্যেৱ নাস্ত্যেৱ গতিৰন্যথা॥

এতেকে ভাই! ভয় নাই,—ভাৱনাতো কথাই নাই, পৰমানন্দ মিলিব কায়মনোবাক্যে ৰাম বোলা, কৃষ্ণ

বোলা! সকলো নামৰ সাৰ বাৰ কৃষ্ণ নাম। ঈশ্বৰে দমাই কৈছে, promise কৰি কৈছে—

> মাধৱে বোলন্ত লোক কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি
> সততে স্মৰে গিৰীজন।
> জল হন্তে যেন পদ্ম নন্দৰৰূপা তাক
> আপুনি উদ্ধাৰো মন্দন ॥ (ঘোষা)

তিনি

ভক্তি হৃদয়ৰ বস্তু, মগজৰ নহয়; সেই বাবে তাৰ মূল্য বেছি। হিয়াৰ বস্তুৰ মোল যে মগজৰ অৰ্থাৎ মগজুৰ বস্তুতকৈ সৰহ এই কথা আমি সকলোৱে চিৰকাল স্বীকাৰ কৰি আহিছো। ঈশ্বৰ ক'ত আছে বুলিলে আমি হিয়ালৈহে আঙুলিয়াওঁ, মূৰলৈ নহয়। "ত্বয়া হৃষীকেশ হৃদি স্থিতেন যথা নিযুক্তোহস্মি তথা কৰোমি"হে বোলোঁ। আমাৰ হিয়াত থকা বস্তুটো আমাৰ অতি ওচৰৰ, অতি নিজৰ, তাক আমি লুকাই আতোলতোলকৈ সামৰি-সুতৰি থৈ দিওঁ। মাকে প্ৰাণসম সন্তানক বুকুতহে সামৰি লয়। এই বাবেই মাতৃস্তন্যৰ আধাৰ বুকু, যি স্তন্যামৃত দি তেওঁ সন্তানক বৰ্দ্ধন কৰে। মূৰ জ্ঞানৰ আৰু বুদ্ধিৰ স্থান, হৃদয় ভক্তি আৰু প্ৰেমৰ স্থান, যত পৰমাত্মাৰ অংশ জীৱাত্মা গোপন হৈ আছে। এই বাবে গীতাত জ্ঞানযোগতকৈ ভক্তিযোগৰ প্ৰাধান্য। এই নিমিত্তে শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মত ভকত আৰু ভকতিৰ স্থান শ্ৰেষ্ঠ। সকলো প্ৰকৃত ধৰ্ম্মৰে প্ৰাণ ভক্তি, যদিও অনেকে তাক মুখেৰে স্বীকাৰ নকৰে বা সেইটো কথা অজ্ঞাতসাৰে স্বীকাৰ কৰিও, মন কৰি নেচায়। এটা বৰ বুদ্ধিমান চতুৰ লোকতকৈ নিশ্চয় তুমি নিভাঁজ হিয়াৰ লোকক ভাল পোৱা, বিশ্বাস কৰা, তাৰ আগত তোমাৰ হিয়া উবুৰিয়াই দিয়া। কিয়? কাৰণ হৃদয়, হৃদয়েৰে সৈতে তাত চিনাকি হয়, তাত তঞ্চকতা নাথাকে, সি ঈশ্বৰৰ স্থান, তোমাৰ মূল্য বুজিবৰ নিমিত্তে কষটি শিল। তুমি মনীষী বিছমাৰ্ক, বা গ্লেড্‌ষ্টোনৰ আগত তোমাৰ হিয়াৰ কথা খুলি কবলৈ ভয় কৰিবা আৰু কবলগীয়া হলেও সাৱধান হৈ লুকচুক কৰি পেটত কিছুমান ৰাখি কবা; কিন্তু এজন সামান্য ধাৰ্ম্মিক পাদুৰী অথবা ঈশ্বৰভক্ত নিভাজ হৃদয়বান লোকৰ আগত হলে নিশ্চয় তুমি হিয়া উবুৰিয়াই দিবা। কাৰণ তেওঁৰ শুদ্ধ জীৱাত্মাই তোমাৰ শুদ্ধ জীৱাত্মাক টানি নিয়ে। বুদ্ধিমান অতি চতুৰ লোক যিমানেই জ্ঞানী হওক, যিমানকে তেওঁৰ বুদ্ধিৰ বিকাশ ঘটক, তেওঁৰ জীৱাত্মা, জৰায়ুৰে ভ্ৰূণ আবৃত হৈ থকাদি বা ধোঁৱাৰে জুই ঢাক খাই থকাদি অপ্ৰকাশিত থাকে। এই জৰায়ু বা এই ধোঁৱাকে সাধুসকলে মায়া বোলে। হিয়াৰ ভক্তিৰেহে এই মায়াৰ বন্ধন কুমলি শিথিল হয়। ভক্তিৰে সৈতে, শ্ৰদ্ধাৰে সৈতে তুমি যাক যি বস্তুকে দিয়া, সেইজনে নিশ্চয় প্ৰীতিৰে তাক গ্ৰহণ কৰে। কাৰণ সেই বস্তু তোমাৰ হিয়াৰপৰা গৈ তেওঁৰ হিয়া পালেগৈ, সি দুই হিয়াৰ যোগ সাধন কৰিলে, দুইকো একাত্ম-ভূত কৰি পেলালে। এই বাবে ভক্তি জ্ঞানতকৈ শ্ৰেষ্ঠ। এইদেখি বিবেকানন্দ স্বামীয়ে কৈছিল—"It is through heart the Lord is seen and not through the intellect. The intellect is only the street cleaner cleansing the path for us, a secondary worker, the policeman. It is feeling that works, that moves with speed infinitely superior to that of electricity or anything else." তুমি সাত্ত্বিকভাৱে হিয়াৰে সৈতে ঈশ্বৰৰ চৰণত, যি ঈশ্বৰ তোমাৰ হিয়াৰ বস্তু, ফুল-জল দিয়া কল এটি, মাহচাউল এগালিৰে সৈতে দিয়া তাৰ মোল ৰজাঘৰীয়া বৰপূজা বা বাইজৰ ডাঙৰ ৰাজহুৱা বৰপূজাতকৈ ঈশ্বৰৰ মানত নিশ্চয় সৰহ। ভক্তিপ্ৰধান ধৰ্ম্মৰ শ্ৰেষ্ঠতা এই নিমিত্তে স্বীকাৰ কৰিবই লাগিব। বিশ্বজনীন উদাৰ মহান্ ধৰ্ম্ম এই নিমিত্তে ভক্তিপ্ৰধান নহৈ নোৱাৰে অৰ্থাৎ যি ধৰ্ম্মত ভক্তিয়ে প্ৰধান স্থান অধিকাৰ কৰিছে সেই ধৰ্ম্মহে বিশ্বজনীন হব পাৰে। এবাটি গাখীৰত যেনেকৈ অলপমান টেঙা পৰিলে সি কুকচি যায়, সেই ভক্তিৰ ভাণ্ডতো ৰাজসিক তামসিক কাৰ্য্যৰ ছিটা এটা পৰিলে সি বিকৃত হৈ যায়; কাৰণ ভক্তি যে মাতৃদুগ্ধৰ নিচিনা হিয়াৰ পদাৰ্থ। ৰাজসিক তামসিক কাৰ্য্যেৰে ভক্তি কৰিলে সেই ভক্তিও কালক্ৰমত বিকৃত নহৈ নোৱাৰে। এই বাবে গীতাই কৈছে—

> কাম এষ ক্ৰোধ এষ ৰজোগুণসমুদ্ভৱঃ।
> মহাশনো মহাপাপ্মা বিদ্ধ্যেনমিহ বৈৰিণম্ ॥

মহাপুৰুষে সেইদেখি কীৰ্ত্তনত ৰাজসিক ভাৱেৰে অনুপ্ৰাণিত কৰ্ম্মৰ বিষয়ে কৈছে—

> ৰজোগুণে কৰে কৰ্ম্মত প্ৰীতি।
> কৰ্ম্মীৰ দম্ভ ভাৱ বাঢ়ে নীতি ॥
> কৰে হিংসা ধৰ্ম্ম নোপজে বোধ।
> মুণ্ডচয় যেন সৰ্পৰ ক্ৰোধ ॥

সেইদেখি যদিও ভক্তি পূজাৰ প্ৰধান অঙ্গ, সেই ভক্তিত যেন ৰজোগুণাশ্ৰিত কৰ্ম্ম মিহলি নহয়, সেইটো সদায় সাৱধানে চাব লাগিব নতুবা সি নিশ্চয় কলঙ্কি যাব। সেইদেখি হে ভক্ত! সাৱধান, ভক্তি-সুধামৃতত যেন ৰজোগুণৰ টেঙাৰ চাট নপৰে, ভক্তিৰত্ন ধমনীত যেন ৰজোগুণ তমোগুণৰ শত্ৰু কীটাণু সোমাই তাক বিকৃত নকৰে।

ঈশ্বৰৰ স্বৰূপৰ ধাৰণা তুমি তোমাৰ যেনে ইচ্ছা কৰিব পাৰা, কিন্তু সেই ধাৰণা ভাল হলে, সুন্দৰ হলে, শুখ থাপন হলে ভাল হব। তেনেহলে তোমাৰ মনও ভাল হব, সুন্দৰ হব আৰু শুখ থাপৰ হব; ফলত তুমি সৰ্ব্বাঙ্গীণ উৎকৰ্ষ লাভ কৰি ক্ৰমাৎ আনতকৈ ঈশ্বৰৰ আৰু সমীপৱৰ্ত্তী হবা। কাৰণ তেওঁ শুদ্ধ বুদ্ধ নিষ্কলঙ্ক নিৰ্মল। মনৰ চিন্তা অনুসাৰে জীৱ-জন্তুৰ শৰীৰো পৰিৱৰ্ত্তিত হয়। বহুবাৰলৈ শাস্ত্ৰত উল্লেখ কৰা তাম-পৰৱাৰ দৃষ্টান্তই আৰু কীৰ্ত্তন-ঘোষাত উল্লেখ কৰা কংসই কৃষ্ণৰ ৰূপ পোৱা কথাই এই কথা সপ্ৰমাণ কৰে। বৰ্ত্তমান কালত ব্যৱহাৰিক বিজ্ঞান শাস্ত্ৰইও এই কথাকে সপ্ৰমাণ কৰে। জাপানত কেনেৰি চৰাই পোহোতাসকলে কেনেৰি চৰাইৰ বৰণ সলোৱাৰ কথা আমি জানো। এটা বগা ঘৰত, বগা সজাত, বগা কাপোৰেৰে ঢাকি, হালধীয়া বা মুগা বৰণৰ কেনেৰি চৰাই থৈ দিয়া হয়। কোনো কঁলা বা আন বৰণৰ কোনো বস্তু তাৰ চকুৰ আগৰপৰা একেবাৰেই গুচাই দিয়া হয়। আনকি যিটো মানুহে সেই চৰাইক খাবলৈ দিয়ে সিয়ো সম্পূৰ্ণৰূপে ধৌত বগা কাপোৰ পিন্ধিহে তাৰ আগলৈ যায়। এইদৰে কৰোঁতে কৰোঁতে কালক্ৰমত সেই কেনেৰিৰ বৰণ বগা হৈ যায়। জাপানৰ চৰাই পোহোতাসকলে এই উপায়েৰে বগা কেনেৰি বেচি ধন ঘটিব লাগিছে। উপনিষদৰ ঋষিসকলে উপলব্ধি কৰা মতে ঈশ্বৰ বাস্তৱিকতে অখণ্ড, নিত্য, অসীম, নিৰাকাৰ, নিৰ্ব্বিকাৰ, সিদ্ধ আৰু গুণ ৰহিত; তেওঁ হ্ৰস্বও নহয়; দীৰ্ঘও নহয়, স্থূলও নহয়; তেওঁ সৰ্ব্ব-ব্যাপক বিভু। তেওঁক তোমাৰ আমাৰ মনৰ গজ-মাৰিডালেৰে জোখাটো অসম্ভৱ। তেওঁক তুমি যেনে মনত ধাৰণা কৰা তেওঁ তেনেকুৱা হয়; অৱশ্যে উৎকৃষ্ট ধাৰণাৰ ফল তোমাৰ নিমিত্তে উৎকৃষ্ট হয়, অপকৃষ্ট ধাৰণাৰ ফল অপকৃষ্ট হয়। তেওঁ অনন্ত সমুদ্ৰ সদৃশ; তুমি সাধকৰ ভক্তিৰূপ হিমে তেওঁৰ এক খণ্ডক মাথোন তোমাৰ ধাৰণাৰ নিমিত্তে, তোমাৰ উপকাৰৰ নিমিত্তে, এটা আকৃতি প্ৰদান কৰে। তোমাৰ ধাৰণাৰ ফলত সেই আকৃতি তুমি দেখা। প্ৰকৃততে তেওঁৰ কোনো ৰূপ নাই। তেওঁৰ কোনো লিঙ্গ নাই। তুমি তেওঁক আই বুলি ভাবিলে তেওঁ আই; বোপাই বুলি ভাবিলে বোপাই। নন্দ-যশোদাই তেওঁক পুত্ৰভাৱে, উদ্ধৱে সখাভাৱে, ব্ৰজৰ বালক-সকলে সঙ্গীভাৱে, গোপীসকলে স্বামীভাৱে, কংসই অৰিভাৱে, অৰ্জ্জুনে সখাভাৱে, যীচুখ্ৰীষ্টই পিতৃভাৱে, বল্লভাচাৰ্য্যই বালগোপালভাৱে আৰু আন আন লক্ষ লোকে লক্ষভাৱে তেওঁক ভাবি তৰি গৈছে। তেওঁ কিন্তু যি আছিল, যি আছে, সেয়েই। তোমাৰ ধাৰণাৰ বেছ-কম অনুসাৰে তোমাৰ উৎকৰ্ষ-অপকৰ্ষ হয় মাথোন।

হে মানৱ! তুমি ঈশ্বৰবিশ্বাসী, ঈশ্বৰভক্ত হোৱা; অন্ধ বিশ্বাস, অন্ধ ভক্তি পৰিত্যাগ কৰি প্ৰকৃত বিশ্বাসী, একনিষ্ঠ জ্ঞানী ভক্ত হোৱা, নিশ্চয় তুমি ভক্তবৎসল ভগৱন্তৰ প্ৰিয় হবা; তেতিয়া তোমাৰ বিমল আনন্দ হব। অমৃত ধন লাভ হব, তোমাৰ অপ্ৰাপ্য একো নাথাকে; তুমি হৰিৰ বশ্য, হৰিও তোমাৰ বশ্য। নামত ভকত নহৈ, কামত ভকত হোৱা, তেনেহলে কৃষ্ণক পাবা।

ভক্ত ভগৱন্তৰ কেনে প্ৰিয়, এবাৰ কীৰ্ত্তনৰ প্ৰহ্লাদৰ উপাখ্যানলৈ চকু দিয়া। হিৰণ্যকশিপুক বধ কৰাৰ পিচতো নৃসিংহৰ উগ্ৰমূৰ্ত্তিৰ প্ৰশমন নহয়। ব্ৰহ্মা ৰুদ্ৰ আদি দেৱতাসকলে তেওঁক স্তুতি কৰিছে,

> তথাপি নুগুচে নৃসিংহৰ মহাক্ৰোধ।
> দেখি দেৱগণে দেন্ত লক্ষ্মীক প্ৰবোধ॥
> স্বামীৰ গুচায়ো ক্ৰোধ জগতৰ সাৰ।

দেৱতাসকলৰ অনুৰোধ—

> শুনি লক্ষ্মীদেৱী উঠি চলিলন্ত সাৰ॥
> কিন্তু নৃসিংহৰ মহাভয়ঙ্কৰ ৰূপ দেখি
> ডৰে উলটিল দেৱী মুদি দুই আখি॥

অন্তত উপায় নেপাই ব্ৰহ্মাই প্ৰহ্লাদক কলে—

> নৃসিংহৰ কোপ বাপ কৰা উপশান্ত।
> ব্ৰহ্মাৰ বচন সাদৰি প্ৰহ্লাদে ধীৰে ধীৰে গৈলা চলি।
> ভূমিত পৰিয়া বিষ্ণুক নমিলা শিৰে ধৰি কৃতাঞ্জলি॥

প্ৰহ্লাদ পাৱত পৰি থকা দেখি নৃসিংহই চাহি,
স্নেহত গ্ৰহ্লৰ নয়নৰ নীৰ তুলিলা হাতে উল্লাসি।

নৃসিংহৰ ক্ৰোধ গ'ল, মুখত হাঁহিয়ে দেখা দিলে, স্নেহত তেওঁৰ নয়নৰ নীৰ বলে, তেওঁ প্ৰহ্লাদক হাতত ধৰি তুলি মৰম কৰি প্ৰহ্লাদৰ মূৰত হস্তপদ্ম বুলালে। কৃতজ্ঞ প্ৰহ্লাদে তেওঁক আন অনেক স্তুতি কৰি এষাৰ কি কথা কলে শুনা—

> ভয়ঙ্কৰ কোপ দেখিয়া তোমাৰ
> প্ৰভু মোৰ ভয় নাই।
> সংসাৰ চক্ৰৰ নিকাৰ দেখন্তে
> সদায় ধাতু উড়াই॥

ওপৰৰ এই অতি সুন্দৰ চিত্ৰত কি দেখিলো? নিজৰ ভাৰ্য্যা লক্ষ্মীতকৈও ভগৱন্তৰ ভক্তৰ মূল্য ভক্তবৎসল ভগৱন্তৰ মানত বেছি। ব্ৰহ্মা ৰুদ্ৰ আদি দেৱতাৰ কথাকে নকওঁ, লক্ষ্মীও ভয়ত ভীতা; কিন্তু ভক্ত নিৰ্ভয়।

আৰু এটি চিত্ৰ চোৱা;—নৃসিংহই প্ৰহ্লাদক কলে—

> বোলন্ত প্ৰহ্লাদ উঠ উঠ।
> তোৰ ভক্তি ভৈলো মহাতুষ্ট॥

নয়ো বৰ তোৰ যেন মন।
ব্যৰ্থ নোহে মোৰ দৰিশন॥
মোক দেখিলেক যিটো জন।
নাহি তাৰ পুনৰাগমন॥
ভকতৰ পূৰোঁ মনোৰথ।
দিওঁ কাম মোক্ষ ধৰ্ম্ম অৰ্থ॥

“ভক্তিসে পৰম লাভ” মানোতা প্ৰহ্লাদে কি উত্তৰ দিলে শুনা—

জানো প্ৰভু, পৰীক্ষা আমাক।
সিহেতু বুলিলা হেন বাক॥
বাঞ্ছে ফল তথু কৰি কৃত্য।
সিটো বাণিজ্যৰ নোহো ভৃত্য॥
তোমাৰ অকাম ভৃত্য আমি।
তুমিও নিষ্কাম মোৰ স্বামী॥
নাহি কাম আমাৰ অন্যথা।
নৃপতি বাজসেৱকৰ যথা॥

এই কথা শুনি নৃসিংহই হাঁহি কলে—

জানো তই ভকত একান্ত॥
তথাপিতো ইটো মন্বন্তৰ।
হুয়া থাক দৈত্যৰ ঈশ্বৰ॥
সদায় শুনিবি মোৰ কথা।
মোৰ কথা চিন্তিবি সৰ্ব্বথা॥
কীৰ্ত্তনে খণ্ডিবা পাপচয়।
ভোগ ভুঞ্জি পুণ্য কৰ ক্ষয়॥
তোৰ যশ ব্যাপিব জগতে।
ৰাত্ৰি দিনে লোক স্মৰন্তে॥
সৰ্ব্ব কৰ্ম্মবন্ধ হৈবি হীন।
অন্তকালে মোত যাইবি লীন॥

এই চিত্ৰই কয় যে নিষ্কাম ভকতে একো নেবাঞ্ছে, একো নিবিচাৰে, একোতে তেওঁৰ স্পৃহা নাই, কেৱল ঈশ্বৰত ৰসময়ী ভকতি কৰি থাকিবলৈহে তেওঁৰ হেঁপাহ। তথাপি সকলো সুখ-সম্পদ ঐশ্বৰ্য্য-বিভূতি সেই ভকতৰ পাছে পাছে নগুৰা ফুৰাদি ফুৰে। এই কথাকেহে ৰত্নাৱলী শাস্ত্ৰত লেখিছে—

নবাঞ্ছয় কিছু যিটো ভক্তি মাধৱক।
দিৱন্ত আপুনি নিজ পাদ-পদ্মৱক॥

শেহত কিন্তু প্ৰহ্লাদে এখুন্মান বৰ এটি নৃসিংহৰ ওচৰত মাগিলে। বৰটি কি চোৱা।

তথু পাৱে মাগোঁ এক বৰ।
তুমি প্ৰভু জগত ঈশ্বৰ॥
তোমাক নিন্দিলে পিতৃ মোৰ।
সিজিল পাতক মহাঘোৰ॥
তাত হন্তে পিতৃ নিস্তৰোক।
এতেকে প্ৰসাদ দিয়া মোক॥

এই প্ৰাৰ্থনা ভক্ত বৈষ্ণৱৰ প্ৰাৰ্থনা। নিজৰ উপকাৰৰ নিমিত্তে নহয়, পৰৰ উপকাৰৰ অৰ্থে আৰু সেই পৰ এনেজনে যি তেওঁক নগুৰ-নাগতি কৰি শাস্তি কৰিছিল, জুইত পেলাইছিল, পৰ্ব্বতৰপৰা বগৰাই দিছিল, সাপৰ মুখত দিছিল, যাঠাৰে খুচিছিল।

এই প্ৰাৰ্থনাৰ উত্তৰত ভক্তবৎসল নৃসিংহ মহাপ্ৰভুৱে ভক্তৰ বিষয়ে কি কলে এবাৰ ভালকৈ মন দি শুনা,—

নৃসিংহে বোলন্ত হাসি শুনিয়ো প্ৰহ্লাদ।
দিবেক নপাৱে তোক ইসব প্ৰসাদ॥
পৰম বৈষ্ণৱ তই পুত্ৰ ভৈলি যাৰ।
একৈশ পুৰুষ তাৰ কৰিলি উদ্ধাৰ॥
যৈত থাকে মোৰ ভক্ত উদাৰ চৰিত্ৰ।
কীটো ভৈলো তথা কৰন্ত পৱিত্ৰ॥
নকৰে প্ৰাণীক হিংসা নাহি একো স্পৃহা।
আমাত অৰ্পণ কৰে আপোনাৰ দেহা॥
ভকতে শ্ৰেষ্ঠ তই পাইলি বাঞ্ছা সিদ্ধি।
কৰিয়ো পিতৃৰ প্ৰেতকাৰ্য্য যেন বিধি॥
মোত চিত্ত দিয়া কাৰ্য্য কৰিয়ো সন্তোষে।
তবে কি বন্দিবা তাৰ সংসাৰৰ দোষে॥

গীতোক্ত কৰ্ম্মযোগ, জ্ঞানযোগ, ভক্তিযোগ আৰু ভক্তৰ লক্ষণ, জীৱহিংসা, প্ৰাণীবধ নিষেধ, সকলোৰে চুম্বক সাৰাংশ ওপৰৰ কেইশাৰীত আছে। প্ৰহ্লাদৰ উপাখ্যানৰ কথাবোৰ আমি মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ কীৰ্ত্তন পুথিৰপৰা তুলি যে দিছো এইটো নকলেও হব। এনে বিশ্বজনীন উদাৰ মহান সাত্ত্বিক নিমল ধৰ্ম্ম আমাৰ শঙ্কৰদেৱে প্ৰচাৰ কৰি গৈছে; তথাপি তাৰ মোল বুজিব নোৱাৰি তাক অৱহেলা কৰোঁ। এনে ধৰ্ম্মতকৈ নিৰ্ম্মল বিশুদ্ধ ওখ ধৰ্ম্ম পৃথিৱীত দ্বিতীয় আছে বুলি আমি নেজানো। ভাই অসমীয়া! এনে মহাধৰ্ম্ম, এনে মহাৰত্ন, তুমি হেলাত নেহেৰুৱাবা; উঠা, সাৰ পোৱা, মোহ-নিদ্ৰাত আপোনাকে পাহৰি আৰু নাথাকিবা আৰু সময় নাই। যি অকিঞ্চিৎকৰ বিষয়-সুখত ভোল গৈ আছা, সি তোমাক নেতাৰে।

বিষয়ৰ সুখ এক তিলে কৰি চুৰ।
যমৰ কিঙ্কৰে ধৰি নিব যমপুৰ॥

চাৰি

ধৰ্ম্মক জানোহো মই তাহাত প্ৰবৃত্তি নাই,
অধৰ্ম্মতো নিবৃত্তি নহয়।

হৃদিস্থিতি হুয়া তুমি যেন কৰোৱাহা স্বামী,
তাকে মাত্ৰ কৰোঁ। কৃপাময় ॥ (ঘোষা)

এই আমাৰ কথা, জ্ঞানৰ পোহৰ কম পোৱা অন্ধবিশ্বাসী আৰু লোকৰ গলগ্ৰহ হব খোজা এলেহুৱাৰ নিমিত্তে নহয়, যদিও সেই শাৰীৰ লোক-সকলে ইয়াক কথাই কথাই মাতে, কথাই কথাই ব্যৱহাৰ কৰে। এইষাৰ শ্ৰুতি স্মৃতি আদিৰে ব্যৱস্থিত দৰ্শনৰ যুক্তি-তৰ্কেৰে পৰিশোধিত, জ্ঞানৰ আলোকেৰে আলোকিত, পুৰাণৰ পাৰমাৰ্থিক কল্পনা-বিমিশ্ৰিত, পৰমাৰ্থ তত্ত্বজ্ঞানেৰে প্ৰমথিত মনৰ জ্ঞানী ভক্তৰ হৃদয়ৰহে আচল কথা। এই জ্ঞানী ভক্তই কয় যে "চাৰি বেদ, ঠৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণ, ছখন দৰ্শন ইত্যাদিত যি ধৰ্ম্মৰ পথবোৰ প্ৰদৰ্শিত হৈছে সেই পথবোৰৰ বিষয়ে মই সকলো জানো, সকলোবিলাক মোৰ দ্বাৰায় অৱলম্বিত আৰু পৰীক্ষিত হৈছে। মই অৱশ্যে জানো যে সেই বেদবেদান্ত আদি শাস্ত্ৰৰ বাণী তোমাৰেই বাণী আৰু জানো যে গীতাত তুমি মুক্তিলাভৰ উপায় স্বৰূপে যি জ্ঞানযোগ, কৰ্ম্মযোগ আৰু ভক্তিযোগৰ উপদেশ দিছা, সেইবোৰও তোমাৰ আপোন মুখৰে উপদেশ; কিন্তু হে প্ৰভু! হে ভকত-বৎসল ভক্ত ভগৱান! তথাপি মোৰ মনক একো একো বেলি ভাৱৰে ঢাকি ধৰে, তথাপি মই কেতিয়াবা কেতিয়াবা সমুখত পোহৰ নেদেখি ধুৰঁলিকুঁৰলি দেখো। তুমি দেখুৱা জ্ঞানপন্থাৰে বাট বুলোঁতে বুলোঁতে মোৰ চকুত জলকতৰক লাগি আছে, কিয়নো বৰ পোহৰ, বৰ জেউতি; ভালকৈ চকু মেলি চাব নোৱাৰোঁ। হে প্ৰভু! বৰ পোহৰ এন্ধাৰৰ সমান। তোমাৰ অখণ্ড অত্যুজ্জল জ্ঞানৰ প্ৰখৰ জ্যোতি মোৰ চৰ্ম্ম-চকুৰে ধাৰণ কৰিব নোৱাৰে, জ্ঞানৰ চিন্তা কৰোঁতে কৰোঁতে দেখোন কেতিয়াবা অজ্ঞানতাই জ্ঞানৰ ভাও জুৰি ভাত সোমাই সকলো নষ্ট কৰে আৰু চাৱলৈ গ'লে হে প্ৰভু! মোৰ শক্তিৰ ভিতৰুৱা ক্ষুদ্ৰ সীমাবদ্ধ জ্ঞানেই বা তোমাৰ অনিৰ্ব্বচনীয় অখণ্ড অশেষ জ্ঞানৰ ভৰ পায় কেনেকৈ? মুক্তিলাভৰ preliminary পাতনি কৰ্ম্ম কৰি চিত্তশোধন কৰি থাকোঁতেই দেখোন তাত নানা বিঘিনি, নানা বিপদ, নানা দোষ পৰি তাক পণ্ড কৰি দিয়ে, চিত্তশোধন কৰি মন-দৰ্পণৰ ধূলিমলি জাৰি-কুকি গুচাই থাকোঁতেই দেখোন আকৌ আহি সংসাৰৰ ধূলিয়ে তাক ছাটি পেলায়। সি জড় সংসাৰৰ ধূলিৰাকত্ৰিৰে লগবীয়া বস্তু বুলিহে হবলা। হে প্ৰভু! তোমাৰ উপদেশ মতে তোমাৰে সৈতে মোৰ আত্মাৰ যোগ সাধন কৰিবলৈ যোগমাৰ্গ অৱলম্বন কৰি নথৈ পৰিশ্ৰম কৰোঁতে কৰোঁতে মই হাইৰাণ হৈছোঁ, তথাপি নোৱাৰোঁ; তোমাক ধৰোঁ ধৰোঁ, ছোঁও ছোঁও হওঁতেই, সংসাৰৰ এশ এটা দুষ্পূৰ কামনা, দুৰ্দ্ধোৰ দুৰ্দ্ধাসনাই মোৰ মনত সোমাই যোগৰ চেঁচাত বিয়োগ সাধন কৰি দিয়ে। এতেকে হে প্ৰভু! মই কি কৰিম, কলৈ যাম? তুমি যাক অধৰ্ম্ম বুলি কৈছা, সেই অধৰ্ম্মলৈ নেযাওঁ বুলি প্ৰাণপণে যত্ন কৰিও দেখোন মই কৃতকাৰ্য্য হব নোৱাৰোঁ। মই কৰই নোৱাৰোঁ। কৰপৰা যে কিহৰ ধুমুহা আহি মোৰ দুৰ্ব্বল মনক মোহাৰি পেলায়হি। মই জানিশুনিও কোনোমতে অধৰ্ম্মৰপৰা নিবৃত্ত হব নোৱাৰোঁ। এতেকে হে প্ৰভু! হে ভগৱান! হে মোৰ বাহিৰে-ভিতৰে গুৰু! হে হৃদিস্থিত পৰমেশ্বৰ! মই তোমাত কায়মনোবাক্যে আত্মসমৰ্পণ কৰিলোঁ, তোমাৰ যি মন যায় তাকে মোৰ হতুৱাই কৰোৱা, মই ধৰ্ম্মৰ বাটত ঠিক থাকিব নোৱাৰো।"

পৰমেশ্বৰত absolute resignation অৰ ভাব অৰ্থাৎ সম্পূৰ্ণৰূপে আত্মসমৰ্পণৰ unconditional surrender ভাব ইয়াতকৈ আৰু কি হব পাৰে? এয়েই যীচুৰ প্ৰচাৰিত খ্ৰীষ্টধৰ্ম্মৰ resignation, এয়েই মহম্মদ প্ৰচাৰিত মচলেম ধৰ্ম্মৰ মহাবলৱন্ত বিশ্বাসৰ আত্মসমৰ্পণ, এয়েই হিন্দু ধৰ্ম্মৰ গীতাশাস্ত্ৰৰ শ্ৰীকৃষ্ণোপদিষ্ট একশৰণ, এয়েই শঙ্কৰ-মাধৱ প্ৰকাশিত মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মৰ একশৰণ।

ভক্তৰ ঈশ্বৰত আত্মসমৰ্পণ (resignation) সংসাৰ ধৰ্ম্মত ঈশ্বৰনিৰ্দিষ্ট কৰ্ম্মৰ প্ৰতি বিমুখতা নহয়, নিষ্কৰ্ম্মা ঔদাস্যৰ জীৱন নহয়; ভক্তৰ এই আত্মসমৰ্পণত নিজৰ অহং বিলোপ, নিজে অকৰ্ত্তা আৰু ঈশ্বৰ সকলোৰে কৰ্ত্তাৰ ভাব, এই আত্মসমৰ্পণত অসীম বলৰ, অনন্ত ক্ষমতাৰ, অখণ্ড আনন্দৰ উৎস। "মই অকামিলা অপৰাগ দুৰ্ব্বলৰ গুৰিত সকলো কাৰ্য্যৰ গুৰি সৰ্ব্বপাৰগ অনন্তবলীৰ বল আছে। ইন্দ্ৰিয়বিলাকক সবল কৰি সেইবোৰৰ দ্বাৰায় মই মোৰ কাৰ্য্য কৰোৱাই লোৱাৰ দৰে ঈশ্বৰে মোৰ দ্বাৰায় তেওঁৰ ইচ্ছাৰ কাৰ্য্যবোৰ সম্পন্ন কৰি লৈছে; তেওঁ মোৰ সকলো কাৰ্য্যৰ, সকলো ইচ্ছাৰ মূলত থকাত মোৰ অসীম সাহ, অদম্য উৎসাহ, প্ৰবল কাৰ্য্যকৰী শক্তি, দুৰ্দ্ধোৰ বিভীষিকাত নিৰ্ভীকতা, নৈৰাশ্যৰ দুখত অক্লিষ্টতা, সুখৰ ধাৰ নিছিগা প্ৰবাহ।" ঈশ্বৰৰ চৰণত আত্মসমৰ্পণ কৰোতা ভক্তৰ এই অমৃত বাণী শুনি লোৱা হে অহঙ্কাৰী অবিবেকী মানৱ! তোমাৰ আগতে আহি আছে, চকু মেলি চোৱা, ঈশ্বৰত সম্পূৰ্ণ আত্মনিবেদন কৰোঁতা যীচুখৃষ্ট, মহম্মদ, নানকৰ কি কি শক্তি কি ক্ষমতা লাভ। তেওঁলোকৰ সাংসাৰিক-কি ধনৰ, কি ঐশ্বৰ্য্যৰ, কি সন্মানৰ, কি ক্ষমতাৰ অধিকাৰ আছিল যে তেওঁলোকে বিশ্ব-বিজয় কৰিলে? এইটো হব বিশ্ববিজয়ীৰ, তেওঁলোকৰ কি বল? এনেকুৱা তেওঁলোকৰ আহি দেখিও তুমি অহঙ্কাৰৰ আশ্ৰয় লৈ সসীম সংসাৰে দিয়া ক্ষুদ্ৰ ঐশ্বৰ্য্য সন্মান ক্ষমতাকে হেপাহ কৰি, মহান অসীম পৰমাত্মত

ক্ষমতা আৰু পাৰমাৰ্থিক ঐশ্বৰ্য্যসম্পাদনলৈ আওকাণ কৰি আছা। হায়! আন হিচাপ consideration এৰিলেও, তুমি যদি লাভ-লোকচানৰ হিচাপ কৰোঁতা চতুৰ ব্যৱসায়ীও (business-man) হোৱা তেনেহলেও এনে ক্ষুদ্ৰ লাভৰ বেহা কৰিবলৈ যোৱাটো তোমাৰ বুদ্ধিবৃত্তিৰ পক্ষে অগৌৰৱৰ কথা নহয় নে? এতেকে হে ব্যৱসায়ী! তুমি এনে ব্যৱসায় কৰা, যি ব্যৱসায়ত পৰম লাভ আছে। মহাপুৰুষ মাধৱদেৱৰ এই কথাষাৰ ভাবি চোৱা—

ভাৰত বস্তুৰ দ্বীপ, মনুষ্য শৰীৰ নৌকা
ৰামনাম মহাবস্তু সাৰ।
হেনয় বণিজ পাই যিটোজনে নকৰয়
তাতপৰে দুখী নাহি আৰ ॥ (ঘোষা)

"জানামি ধৰ্ম্মং ন চ মে প্ৰবৃত্তিঃ" এই শ্লোকটোৰ শেষছোৱৰ "ত্বয়া হৃষীকেশ হৃদিস্থিতেন যথা নিযুক্তোহস্মি তথা কৰোমি" বিকৃতভাবে চৰ্চ্চা কৰি কৰি আজিকালি অনেকে তাৰ আঁৰ লৈ কুকাম কৰা দেখা যায়। এইদেখিহে ইংৰাজীত একাষাৰ কথা আছে "The devil can cite the scriptures to support his wicked deeds" অৰ্থাৎ চয়তানেও তাৰ মতলব সিদ্ধি কৰিবৰ নিমিত্তে তাৰ কথাৰ সমৰ্থন কৰিবলৈ বাইবেলৰ বাক্য উদ্ধৃত কৰিব পাৰে। আমি পাহৰা নাই যে আজিকালিৰ এনাৰ্কিষ্ট (anarchist) অৰ্থাৎ ৰাজদ্ৰোহীসকলৰ হাতত একোখন গীতা পোৱা যায়, আৰু কলিকতাৰ 'মুৰাৰিপুকুৰ বাগান'ত (তেওঁলোকৰ য'ত ঘাই আড্ডা আছিল) ৰীতিমতে গীতা পঢ়োৱা আৰু পঢ়োতা ৰাজদ্ৰোহী অধ্যাপক আৰু ছাত্ৰ আছিল। এইটো একে ফুলৰে মৌ, কোদোৰ মুখত পৰি বিহ আৰু মৌমাখিৰ মুখত পৰি মৌ হোৱাৰ নিচিনা কথা। 'ত্বয়া হৃষীকেশ' শ্লোক মাতি কুকামৰ পোষকতা কৰোঁতাবো এনে কথাই। এইটো মনত কৰিলেই হয় যে ঈশ্বৰ মঙ্গলময়, কৰুণাময় আৰু সৎ। এনে ঈশ্বৰক যদি আমাৰ সকলো মনোবৃত্তিৰ গৰাকী সম্পূৰ্ণভাবে পাতি তেওঁত আত্মসমৰ্পণ কৰা যায়, তেন্তে তেওঁ আমাৰ দ্বাৰায় তেওঁৰ সৃষ্টিৰ অমঙ্গলকাৰী কাৰ্য্য কৰোৱাটো একেবাৰেই অসম্ভৱ। তোমাৰ কুকাৰ্য্য কৰিবৰ প্ৰবৃত্তি হৈছে কৰা, কৰি অধঃপাতলৈ বাট খুজিছা যোৱা, কিন্তু ঈশ্বৰে সেই কুকাৰ্য্য তোমাৰ হৃদয়ত থাকি কৰাইছে বুলি কৈ, লোকক ফাঁকি দি লগে লগে নিজৰ মনকো ফাঁকি আৰু মিছা প্ৰবোধ দি, তোমাৰ বিবেক ঢাকি থৈ sacrilege অৰ্থাৎ অধৰ্ম্ম কৰি মঙ্গলময় ঈশ্বৰত অমঙ্গলভাৱ আৰোপ কৰি নিজে নষ্ট হোৱা কিয়? তোমাৰ অসদ্য বাসনা প্ৰবল কুপ্ৰবৃত্তিয়ে তোমাক কুকাম কৰিবলৈ উদ্গাইছে, ঈশ্বৰৰ বীণাৰ সুমধুৰ বাণীলৈ তুমি কাণ নিদি কুপ্ৰবৃত্তিৰ ঢাক-ঢোলৰ মাতলৈ কাণ দিছা আৰু সেই ঢাক-ঢোল বন্ধ নকৰি তাৰে তোমাৰ হৃদিস্থিত হৃষীকেশৰ বীণাৰ ঝঙ্কাৰ বুৰাইছা, অথচ কৈছা— "ত্বয়া হৃষীকেশ হৃদিস্থিতেন যথা নিযুক্তোহস্মি তথা কৰোমি।" কি আপদীয়া কথা! তেনে নকৰি বৰং তোমাৰ কোৱা উচিত,—লোভ মোহ কাম ক্ৰোধৰ দ্বাৰায় "যথা নিযুক্তোহস্মি তথা কৰোমি।" তুমি কবা যে কাম ক্ৰোধ মোহ আদিও তেওঁ ঈশ্বৰৰ সৃষ্ট বস্তুহে, তেন্তে সেইবোৰে যি কৰোৱায় সিও ঈশ্বৰে কৰোৱা নুবুলিবা কেনেকৈ? আমি কওঁ হয়, কিন্তু তাৰ use অৰ বিধান ঈশ্বৰে আন প্ৰকাৰেহে কৰিছে, তাৰে তোমাৰ দ্বাৰায় তেওঁৰ সৃষ্টি নাশ কৰিবলৈ আৰু তোমাক ৰসাতললৈ পঠিয়াবলৈ বিধান কৰা নাই। তোমাৰ হাতৰ কটাৰীখনেৰে তুমি তামোল কাটিলে তামোল খাই তৃপ্তিলাভ কৰিবলৈ পাবা, আৰু আঙুলি কাটিলে খঁৰা-আঙুলিয়া হবা; এই কথা। পোহৰৰ তেজ বঢ়াবলৈ যেনেকৈ এন্ধাৰ থাকে, পুণ্যৰ জ্যোতি উজ্জল কৰিবলৈ সেইদৰে পাপ থাকে। এন্ধাৰ পৰিত্যাগ কৰি যেনেকৈ পোহৰলৈ মানুহ যায়, পাপ পৰিত্যাগ কৰি তেনেকৈ পুণ্যলৈ সন্ত-সাধু যায়। ক'লা ছাইৰে যেনেকৈ ঘঁহি ৰৌপ্যাদি তৈজস দ্ৰব্য উজ্জল কৰা হয়, পাপেৰে সেইদৰে পুণ্যক উজ্জল কৰা হয়; কিন্তু ক'লা ছাই তোমাৰ পেৰাত ৰাখিবলগীয়া বস্তু নহয়, তাক ধুই পেলাই উজ্জল তৈজস দ্ৰব্যহে পেৰাত সুমাবৰ বস্তু। দুনিয়াৰ প্ৰবল লোভ মোহ কাম ক্ৰোধক অহোপুৰুষাৰ্থ কৰি বলি দি তুমি পৰীক্ষাত উঠিব লাগে দেখি সেইবোৰ ঈশ্বৰে সৃজন কৰিছে। তেওঁ সেই পৰীক্ষা দুৰূহ কৰি দি তাৰে সৈতে তোমাক যুঁজাই তোমাৰ ক্ষমতা বঢ়াই দি তোমাক প্ৰবল আৰু উন্নত কৰিছে। তুমি তাকে নুবুজি বা বুজিব নুখুজি সেই ৰিপুবিলাকৰ অধীন হৈ থকা আৰু কোৱা,—ঈশ্বৰে যেনে কৰাইছে মই তাকে কৰিছো।

বিষয় সম্বন্ধ সুখ সমস্ত যোনিত পায়,
হৰি-সেৱা একো স্থানে নাই।
হৰিৰ সেৱাৰ যোগ্য কেৱলে মনুষ্য তনু,
জানি কুৰা হৰিগুণ গাই ॥ (ঘোষা)

তুমি এইষাৰ গুৰুবাক্য পাহৰি আওবাটে বাট লাগিছা, আকৌ শ্লোক মাতিছা "ত্বয়া হৃষীকেশ হৃদিস্থিতেন যথা নিযুক্তোহস্মি তথা কৰোমি।" তুমি দেখা নাই নে কাম, ক্ৰোধ, লোভ, মোহ আদি বিষয়-সম্বন্ধ সুখ কাউৰী, ছাগলী, সাপ, বাঘ, সকলোৱে আছে, সিহঁতো তাৰ অধীন; সেইবোৰ ওপৰত কৰ্তৃত্ব কৰিবলৈ সিহঁতক জ্ঞান-বিবেচনা ঈশ্বৰে দিয়া নাই; কিন্তু তোমাক দিছে। কিয় দিছে কোৱাচোন? ঈশ্বৰে আশা কৰে যে তুমি শ্ৰেষ্ঠ জীৱ, এতেকে জ্ঞান-বিবে-

চলাবে তুমি সেই দুৰ্বৃত্ত দানৱ ৰিপুবোৰৰ ওপৰত জয় লাভ কৰি জীৱৰ উন্নতি আৰু ওখ খাপলৈ যাবা। ঈশ্বৰে দিয়া জ্ঞান-বিবেচনাৰ সদ্ব্যৱহাৰ নকৰি যদি তুমি তাক পেলাই থৈ ৰিপুৰ দাস হোৱা তেন্তে তোমাৰ ওপৰত ঈশ্বৰে যি trust impose কৰিছিল অৰ্থাৎ কৰ্ত্তব্যৰ ভাৰ দিছিল, তাত তুমি fail হলা, কৃতকাৰ্য্য নহলা। তুমি dutiful নহৈ নিজৰ মাৰ নিজে চিন্তিলা, আৰু শেহত কোৱা যে "ত্বয়া হৃষী-কেশ হৃদিস্থিতেন যথা নিযুক্তোঽস্মি তথা কৰোমি।" ক'ত হৰিভকতৰ ই grand resignation, মহান্ আত্ম-সমৰ্পণৰ বাক্য আৰু ক'ত মতলবী মোহান্ধৰ এই শ্লোকাৰ্দ্ধৰ আবৃত্তি আৰু বিকৃত মৰ্ম্মগ্ৰহণ! তুমিচোন কোৱা, যিচুখ্ৰীষ্ট, মহম্মদ, জনক, ভীষ্ম আদি কৰি যিসকল ঈশ্বৰত আত্মসমৰ্পণ কৰোঁতা মহাপুৰুষ আছিল তেওঁলোকে লোভ মোহ আদি ৰিপুক প্ৰশ্ৰয় দিয়া কোনো কাৰ্য্য কেতিয়াবা কৰিছিল নে? যদি নাই কৰা, তেওঁলোকে তুমি বুজাদি "ত্বয়া হৃষীকেশ"ৰ মানে নুবুজি আন প্ৰকাৰে বুজিছিল কিয়? সেইটো আচল মানে নে তোমাৰটো?

যি যিটো বস্তু দিনে-ৰাতিয়ে ধ্যান কৰে, সদায় মন-প্ৰাণ সঁপি দিয়ে, সেই বস্তুটোতে তেওঁৰ লাহে লাহে আসক্তি জন্মি তাকে লাভ মনত ভাবি তাৰে আনন্দত তেওঁ নিমগন হয়। যি দিনে-ৰাতিয়ে টকা টকা কৰি থাকে, টকা ঘটাকেহে জীৱনৰ একমাত্ৰ কাম বুলি ভাবে, ক্ৰমাত তেওঁৰ টকাতেই এনে এটা আনন্দ হয় যে টকা যে means to an end অৰ্থাৎ আন সুখ পাবৰ উপায়, সেইটোলৈ তেওঁ পাহৰি যায়; দিনে-ৰাতিয়ে টকাকে বুকুত বান্ধি সচিন্তে-সপোনে টকাৰ সমাজিক দেখি কটায় আৰু শেহত তেওঁৰ এনে অৱস্থা হয় যে নৰিয়াত পৰি মৰিবলৈ ওলালেও নিজৰ নিমিত্তে ঔষধ-পথ্য আৰু চিকিৎসাৰ অৰ্থে পইচা খৰচ কৰিব নোৱাৰি টকাক ৰাখি থৈ নিজক বিনাশ কৰে। তেওঁৰ নিজৰ মৃত্যু-শোকতকৈও ধন-ভগনৰ শোক মৰ্ম্মভেদী। পুত্ৰ দাৰা আদি বিষয়ত অতিৰিক্ত আসক্ত-জনবো এনে অতিৰিক্ত অৱস্থা ঘটে। ভকতি-সুখত মজি থকা ভক্তবো এনে অৱস্থাৰে তুলনা কৰিব পাৰি, যদিও ভক্তৰ অৱস্থা ideal (আহি) অৱস্থা। শেহত ভক্তই ভক্তি-সুখৰ বাহিৰে আন একো নিবিচৰা হয়, মুক্তি-সুখও তেওঁৰ এলাগী হৈ পৰে। ভক্তৰ এই অৱস্থাৰে সৈতে বিষয়ীৰ অৱস্থাৰ এই মহা প্ৰভেদ যে বিষয়ত সুখাসক্তই বিষয়ক পাই সংসাৰতে মজি সংসাৰী হৈ জন্মজন্মান্তৰ কটাবলগীয়া হয়, ঈশ্বৰ-ভক্তি সুখত মজা ভক্তই তেওঁৰ আকাঙ্খিত ঈশ্বৰৰ চৰণ-পঙ্কজ সেৱাসুখ পাই অখণ্ড অমিয়া সুখৰ অধিকাৰী হয়। হে সকামী মানৱ! তুমি পাৰ্থিব বস্তুৰ কামনা কৰি কি শান্তি পাবা? কিহে তোমাৰ হিয়া পুৰাব? ব্ৰহ্মাণ্ডৰ সকলো বস্তুৰেও যে তোমাৰ কামনা পুৰাব নোৱাৰে; তুমি যিমান পোৱা, তোমাৰ হৃদয়ে ততো-লিকে আকৌ বিচাৰিব। এতেকে সকলো কামনা পৰিত্যাগ কৰি ঈশ্বৰৰ অক্ষয় নামামৃত পিয়া, তোমাৰ সন্তোষ লাভ হব।

শুনিয়ো হৃদয় হেৰ   ব্ৰহ্মাণ্ড ভিতৰে যত
বস্তু আছে তোক নোজোৰয়।
তাক ত্যজি কৃষ্ণ নাম   অক্ষয় অমৃত পিয়া
সন্তোষক লভিয়ো হৃদয়॥   (ঘোষা)

এই বাবেই শ্ৰীমদ্ভাগৱতত কৈছে যে ব্যাসে কৰ্ম্ম-যোগ, জ্ঞানযোগ সকলো আচৰণ কৰিও মনত শান্তি নেপাই, তেওঁৰ মনত মহাক্লেশ কোনোমতে গুচাব নোৱাৰি, শেহত নাৰদৰ উপদেশত

একচিত্তে মাধৱক কৰিয়া ভকতি।
তেবে তান নিৰ্ম্মল নিশ্চল ভৈল মতি॥
ভকতিৰ পৰম আনন্দ ভৈলা জাত।
হৃদয়তে ঈশ্বৰক দেখিলা সাক্ষাত॥
কৃষ্ণৰ অধীন মায়াদেৱীকো দেখিলা।
তেবেসে ব্যাসৰ যত সংশয় গুচিলা॥ (ৰত্নাৱলী)

ঈশ্বৰ লাভ কৰিবলৈ আন আন মাৰ্গৰ নিচিনাকৈ ভক্তিমাৰ্গত বেছি সময় আৰু শ্ৰম নালাগে। ভক্তি কৰোঁতে কৰোঁতে ভকতৰ ভকতি স্বভাৱ-সিদ্ধ (second nature) হৈ পৰে। মানুহে যেনেকৈ গুৰিতে কথা কবলৈ, খোজ কাঢ়িবলৈ যত্ন কৰি শিকে, কিন্তু শেহত সেইবোৰ কাম স্বভাৱসিদ্ধ যেন হৈ পৰে আৰু ইন্দ্ৰিয়ৰ বৃত্তিবোৰো যেনেকৈ শেহত অযত্নতে নানা বিষয়ত প্ৰৱৰ্ত্তিত হয়, তেনেকৈ ভক্তৰ, ঈশ্বৰত ৰতি হৈ মন স্বভাৱতে তেওঁৰ চৰণত প্ৰৱৰ্ত্তিত হয়। তেতিয়া ভক্তই ভকতিক ত্যাগ কৰি আন একো কামনা নকৰে, কাৰণ নোৱাৰে; ঈশ্বৰত ভক্তিয়ে তেওঁৰ মন মথি পেলালে যে নিষ্কামভাৱে মাথোন ঈশ্বৰৰ চৰণসেৱা কৰি থাকিবলৈ পালেই তেওঁৰ হল। তেওঁ আৰু একো নিবিচাৰে। তেওঁ তেতিয়া তেওঁৰ কাণক ঈশ্বৰৰ কথা শ্ৰৱণত, মুখক কীৰ্ত্তনত, মনক ঈশ্বৰক স্মৰণত, হাতক ঈশ্বৰৰ কামত, চকুক জগতক ঈশ্বৰময় দেখাত, শিৰক ঈশ্বৰবুদ্ধি কৰি সমস্ত জগতক নমস্কাৰত, নাকক ঈশ্বৰৰ নিৰ্ম্মাল্য ঘ্ৰাণত আৰু জিভাক ঈশ্বৰৰ প্ৰসাদ আস্বাদনত মাত্ৰ লগায়। মুক্তিপদ সুখৰ হলেও সেইদেখি ভকতে ভক্তিক তাতকৈ শ্ৰেষ্ঠ দেখে; কাৰণ সেৱাৰ আনন্দ-সুখ মুকুতিত নাই, ভক্তিত আছে, অথচ ভক্তিতে মুকুতিৰ সুখকো পোৱা যায়। এই নিমিত্তে ভক্তি কৰিলে ভক্তিয়ে ভক্তি-সুখ যে বিলায়েই, মুক্তি-সুখকো আনি দিয়ে, মুক্তিৰ নিমিত্তে সুকীয়াকৈ পুৰুষাৰ্থ কৰিব নেলাগে। এই বাবে শঙ্কৰদেৱে কীৰ্ত্তনত লেখিছে—

ভকতিত পৰে ধৰ্ম্ম নাহি সংসাৰত।
চাৰিও বেদৰ জানা এহি সাৰ তত্ত্ব ॥

ভক্তিয়েই সকলো উপাসনাৰ সাৰ এইটো আমি দেখি আহিছো। কিন্তু কেনেকৈ ভক্তি কৰিব লাগে সেইটো আমাক কোনে কৈ দিব? শ্ৰীমদ্ভাগৱতে ন বিধ ভক্তিৰ কথা কৈছে—

শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদসেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহা অৰ্পণ ॥ (কীৰ্ত্তন)

এই ন বিধ ভক্তিয়েই শ্ৰেষ্ঠ ভক্তি। ভক্তই ন বিধ ভাগৱতী ভক্তি কৰি ঈশ্বৰৰ উপাসনা কৰে। এই ন বিধ ভক্তিকে উপাসনাৰ সাৰ বুলি ধৰা যায়। শঙ্কৰদেৱেও এই ন বিধ ভক্তিকে ভাগৱতৰপৰা আনি প্ৰচাৰ কৰিছে। কিন্তু ন বিধৰ ভিতৰতে তেওঁ শ্ৰৱণ-কীৰ্ত্তনক প্ৰাধান্য দিছে। বাস্তৱিক পক্ষতো এই দুই বিধেই যে আনবোৰতকৈ শ্ৰেষ্ঠ তাৰ কোনো ভুল নাই। আকৌ শ্ৰৱণ-কীৰ্ত্তনৰ ভিতৰতো শ্ৰৱণেইহে আদি। তুমি যাক ভক্তি কৰিবা, তাৰ বিষয়ে শুনাইহে তোমাৰ প্ৰথম কাৰ্য্য। তেওঁৰ গুণ-শীল শুনোতে শুনোতে তেওঁৰ প্ৰতি তোমাৰ চিত্ত সুপ্ৰসন্ন হব, ৰতি জন্মিব, তেতিয়া তুমি নিজেও তেওঁৰ গুণ-শীল কীৰ্ত্তন কৰিব পৰা হবা আৰু কৰি পৰমআনন্দ লাভ কৰিবা; আৰু তাৰ পিছত লাহে লাহে বগাই গৈ বাকী সাত বিধ ভক্তিতো তুমি পৰাযণ নহৈ নোৱাৰা। ভক্ত দামোদৰদেৱে আদি ভক্তি শ্ৰৱণতে বেছি নিমগন হৈ দিনে-ৰাতিয়ে ঈশ্বৰৰ গুণশীল শ্ৰৱণ কৰি কটাইছিল, কাৰণ প্ৰথম শ্ৰৱণেইহে তেওঁক শঙ্কৰদেৱৰ সমীপলৈ আকৰ্ষণ কৰি আনে। মহাপুৰুষে তেওঁৰ অমূল্য উপদেশবোৰৰ এটা উপদেশত দুই চাৰি আখৰৰ ভিতৰতে শুৱলাকৈ কৈ এই ভক্তিৰ কথা কেনেকৈ কৈছে চোৱা—

শুনা সভাসদসব যুগুতি বচন।
হৰিভকতিৰ আদি জানিবা শ্ৰৱণ ॥
মহন্তৰ মুখে কথা শুনি প্ৰথমত।
তেবেসে পুৰুষে পায় ভকতিৰ তত্ত্ব ॥
কথা শুনিলেসে গুচে মনৰ সংশয়।
কৃষ্ণৰ সেৱাত ৰতি তেবেসে বাঢ়য় ॥

শাস্ত্ৰত ন বিধ ভক্তিৰ কথা কলে; কেনেকৈ সেই সেই ভক্তি কৰিব লাগে তাকো বহলাই উপদেশ দিলে; কিন্তু হে ভক্ত! ভক্তিত পাৰদৰ্শী মহন্ত ভক্তৰ মুখে তুমি শুনি লোৱা প্ৰথমতে,—কেনেকৈ ভক্তি কৰিব লাগে, নতুবা তোমাৰ খৰচি নমৰে। তেহে পদে পদে তুমি উজুটি খোৱা প্ৰতিবন্ধকবোৰ এৰাই কৃতকাৰ্য্য হৈ ভকতিৰ পথত আগবাঢ়ি আচল তত্ত্ব পাব পাৰিবা। আয়ুৰ্ব্বেদ শাস্ত্ৰত ৰোগ আৰু ৰোগৰ চিকিৎসাৰ বিষয়ে তন্নতন্নকৈ ব্যাখ্যা কৰা আছে, কিন্তু তুমি যদি ভাল কবিৰাজ হব খুজিছা তেন্তে প্ৰাজ্ঞ কবিৰাজ অধ্যাপকৰ ওচৰত সেই শাস্ত্ৰ পঢ়ি কবিৰাজী শিক্ষা কৰা, তেহে সেই বিদ্যা তোমাৰ সৰ্ব্বতোভাৱে আয়ত্ত হব। নতুবা তোমাৰ ভিষক্ বিদ্যাৰ খৰচি নমৰে, তুমি এধাখুন্দা বেজহে হবা। ভক্তিও সেইদৰে মহন্ত সাধু ভক্তৰ ওচৰত তেওঁৰ উপদেশমতে শিক্ষা কৰা, অনুশীলন কৰা আৱশ্যক। ভক্তি যদিও সুগম, তথাপি অনন্যমনা হৈ তাক আচৰণ কৰিলে তাত সিদ্ধিলাভ সুদুৰ্ল্লভ হৈ উঠে। এটা কথা মন কৰিবলৈ পাহৰিব নেলাগে যে উজু কাৰ্য্যবোৰেই, উজু কথাবোৰেইহে প্ৰায়ৰৰ অধীন কাম হয়; কাৰণ উজু বুলি মানুহে সেই-বোৰক অৱহেলা কৰে বা একেদিনাই কৰিম বুলি পেলাই থৈ দিয়ে। ইছুপৰ শহাপহু আৰু কাছৰ সাধুতে এই কথাৰ নীতি আছে। ভকতিৰ পথ যদিও উজু, কিন্তু মানুহৰ স্বভাৱ হৈছে, উজু বস্তুৰ ফালে আকৃষ্ট নহৈ, সহজ প্ৰাপ্য বস্তুত মূল্য স্থাপন নকৰি, জটিল আৰু কষ্টসাধ্য বস্তুৰ ফালে চাল লোৱাটো। এইটোও ঈশ্বৰৰ মায়াৰে খেলা। পানী বতাহ সহজ-প্ৰাপ্য উজু বস্তু, সেইদেখি তাৰ মূল্য সাধাৰণ মানুহৰ মনত কম বা একেবাৰে নাই বুলিলেই হয়; কিন্তু এই দুইটা এনে বহুমূলীয়া পদাৰ্থ যে তাৰ অভাৱত মানুহৰ খিতাতে মৰণ। মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰচাৰিত উজু অথচ অমূল্য ধৰ্মত সেইদেখি অসম বজাই মূল্য নেদেখি বঙ্গদেশৰ তান্ত্ৰিক ধৰ্ম্ম অসমলৈ আনি গ্ৰহণ কৰিছিল। এই কাৰণৰ নিমিত্তেই মহাপুৰুষ বিহিত উজু অসমীয়া মাতৃভাষাত উচ্চাৰিত শৰণতকৈ সংস্কৃত বিজড়িত দীক্ষাক কোনো কোনো লোকে আৰু তেওঁলোকৰ শিকনিৰে মনে ধোৱপাক খোৱা শিষ্যই শ্ৰেষ্ঠ বোলে। অথচ যেই শৰণ, সেই দীক্ষা, যেই তণ্ডুল, সেই চাউল, বৰং শৰণ আমাৰ মাতৃভাষাত উক্ত দেখি সি দীক্ষাৰ মন্ত্ৰতকৈ অবাধে সহজে আমাৰ মৰ্ম্মত প্ৰৱেশ কৰে, সেইদেখি সি শ্ৰেষ্ঠ। হায়! ঘৃতপক্ব মচলা-মিশ্ৰিত rich 'পোলাও'ৰ চমকেই এনে! স্বাস্থ্য-বিজ্ঞানৰ হিচাপত পোলাও plain ভাততকৈ গুৰু পাচক হলেও আৰু বৰং অস্বাস্থ্যকৰ হলেও মানুহে কিন্তু পোলাও খাবলৈ হেঁপাহ কৰি কুবে আৰু পইচা খৰচ কৰি মৰে। এই নিমিত্তেই আগতে ইউৰোপত লাটিন গ্ৰীক ভাষাত ৰচিত গ্ৰন্থৰ প্ৰাধান্য প্ৰচলিত ভাষাৰ গ্ৰন্থৰ ওপৰত আছিল; এই কাৰণেই আজিও আমাৰ মনত সংস্কৃত ভাষাত ৰচিত শ্লোকৰ প্ৰাধান্য আমাৰ মাতৃভাষাতকৈ আছে; এই কাৰণেই

কাৰো কাৰো মনত ক্লীং হ্রীং কট্-অৰ শ্রেষ্ঠতা ৰাম শব্দৰ ওপৰত বৰ বেছি ; কাৰণ ৰাম বৰ উজু, বৰ সৰল আৰু সকলোৱে সহজে মাতিব পৰা, আৰু সি যে "চাকিলে চুকিলে লাখ টকাৰ" জাতৰ হ্রীং ক্লীং নহয়।

দুগুটি অক্ষৰ ৰাম নাম
শ্রীৰাম নাম অমিয়া-মাধুৰী ভৰে।
অতি সুকোমল পৰম মঙ্গল,
সবে মনোৰথ পূৰে ॥ (ঘোষা)

কিন্তু ৰাম এনে সুকোমল আৰু সবে মনোৰথ পূৰোৱা হলে কি হব ?—ৰাম যে একেবাৰেই উকা আখৰ আৰু সি যে অতি সহজে উচ্চাৰণ কৰিব পৰা সহজপ্রাপ্য। তাতো ক্লীং হ্রীং অৰ জবৰ্জং অলঙ্কাৰ কাঁইট নাই। কাঁইট নোহোৱা গোলাপক কোনে আদৰ কৰিব ? এতেকে 'বুদ্ধিমানসকলে', মন্ত্র লোৱাক, দীক্ষা লোৱাক, ৰামকৃষ্ণ নামত শৰণ লোৱাতকৈ যে শ্রেষ্ঠ যেন দেখিব তাত আশ্চর্য্য কি ?

কিন্তু ৰামকৃষ্ণ নামত শৰণ লোৱা ভক্তই ভক্তিকে সাৰ বুলি জানি ভক্তি কৰি আছে, কৰি থাকিব, তেওঁলোকক আন একো নালাগে। তেওঁলোকে শ্রীমদ্ভাগৱতে বিবৃত কৰা ন বিধ ভক্তি কৰিও, "মই ভকতি কৰিব জনা ভকত" বুলি এক কণিকা মাত্রও অহঙ্কাৰ আৰু শ্রেষ্ঠতাৰ ভাব মনলৈ নানি কয়,—"হে প্রভু, তোমাত ভক্তি কৰিব যে লাগে এই মহৎ উপদেশ আমি পাইছো, তুমি উপদেশ দিয়া প্রকাৰেই আমি তোমাত ভকতি কৰিবলৈ চেষ্টা কৰিছো, কিন্তু প্রভু, তথাপি তাক কেনেকৈ কৰিব লাগে নেজানো, ভালকৈ তাৰ উন্নাদিহ নেপাওঁ, যিমানকৈ কৰিছো সিমান আমাৰ মনত খেলাইছে যে আমি ঠিক কৰিব পৰা নাই। আৰু হে প্রভু, আমাৰ সীমাবদ্ধ ক্ষুদ্র ক্ষমতাৰে পাৰিবেই বা কেনেকৈ ? এতেকে পৰমেশ্বৰ! দয়াময়! ভক্তবৎসল ভগৱান! তোমাত আমি সম্পূর্ণৰূপে আত্মসমর্পণ কৰিছো, আমাক তুমি শিকাই দিয়া কেনেকৈ ভক্তি কৰিব লাগে ; শিকাই দিয়া হে প্রভু শিকাই দিয়া,—

কিমতে ভকতি কৰিবো তোমাত হৰি এ,
মই মূঢ়মতি নাজানো তাৰ উপায়।
মহা বলৱন্ত দুর্ব্বাসনা মোৰ হৰি এ,
আমাৰ মনক ত্যজিয়া দূৰ নাযায় ॥
তোমাৰ মায়ায়ে মন মোহি আছে হৰি এ,
অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নাপাওঁ।
অভয় চৰণে শৰণ পশিলো হৰি এ,
তুমা গুণ নাম ভকতি-প্রদীপ চাওঁ ॥
ভকতি বিনতি প্রণতি নাজানো হৰি এ,
মোত পৰে জ্ঞানশূন্য হীন-মতি নাই।
তুমি প্রভু কৃপা-ৰসৰ সাগৰ হৰি এ,
দিয়া মোক তুমা পদছায়া তলে ঠাই ॥ (ঘোষা)

এইটি ভক্তৰ হৃদয়-কন্দৰস্থিত ভক্তিৰস বিমিশ্রিত কি সুন্দৰ প্রার্থনা। ভক্তৰ হিয়াৰ মর্ম্মস্থলীৰপৰা ওলোৱা কি নিবেদন! কি আবেদন! কি কাকুতি! কি প্রাণস্পর্শী প্রার্থনা! ভাই অসমীয়া, পৃথিৱীৰ সুসভ্য, অসভ্য, অর্দ্ধসভ্য, কোন দেশৰ ধর্ম্মপ্রচাৰক সাধক ভক্তৰ হৃদয়ৰপৰা এনে "মহতো-মহীয়ান" প্রার্থনা ওলাইছে, এবাৰ সেইবোৰবে সৈতে, দুখীয়া অসমৰ এচুকত পৰি থকা আমাৰ মহাপুৰুষ মাধৱদেৱৰ এই প্রার্থনাটি তুমি বিজাই চোৱা, দহোকুৰি চোৱা। আমাৰ দৃঢ় বিশ্বাস, তেতিয়া তুমি নিঃসন্দেহে কব পাৰিবা যে ধর্ম্ম-বিষয়ত তোমাৰ দেশ আন সকলো দেশতকৈ ধনী আৰু শঙ্কৰ-মাধৱ তোমাৰ আঁচলৰ নিধি।

পাঁচ

কোনো কোনো লোকে এইদৰে কোৱাও শুনিছো যে "হেৰা বৈষ্ণৱ! তুমি বিচৰা মুকুতি-সুখটো কি বস্তু আমি নুবুজো। তুমি যিহকে কোৱা, সেইটো আমাৰ অপৰিজ্ঞাত পদার্থ 'unknown, unappreciable entity'; যি আমাৰ দ্বাৰায় ভালকৈ বুজিব বা অনুভৱ কৰিব নোৱৰা বস্তু বা অৱস্থা ; সেইদেখি আমি ভালকৈ বুজিব পৰা, অনুভৱ কৰিব পৰা বস্তু আৰু আমাৰ দৈনিক জীৱন-যাত্রাৰ আৱশ্যকীয় সুখ, যেনে—ইহকালত ধন, ঐশ্বর্য্য, মান, সম্ভ্রম, ক্ষমতা, আমোদ-প্রমোদ ইত্যাদি আৰু যদি পৰকাল আছে, পৰকালতো তাকে পোৱা অৱস্থা লাভ কৰিবলৈ, আন দেৱদেৱীৰ পূজা ধুমধাম কৰি নকৰো কিয় ? তুমিয়েই কৈছা যে আন দেৱদেৱীয়ে সেইবোৰ দিব পাৰে। তেওঁলোকে মুক্তি দিব নোৱাৰিলে কি হল ? তোমাৰ বৈকুণ্ঠত বোদ্‌বোদ্ কৰে বহি থকা মুক্তি-সুখ আমাক নালাগে। এতেকে মুক্তিদাতা তোমাৰ বৈকুণ্ঠেশ্বৰ আমাৰ ভজনীয় নহয়।" ইয়াৰ উত্তৰত ইয়াকে কওঁ যে ঈশ্বৰ কল্পতৰু ; তেওঁক যেয়ে যি মাগে তাকে তেওঁ মাগোঁতাক দিয়ে। তুমি তেওঁৰ ওচৰত মুকুতি নামাগা, ধন-ঐশ্বর্য্যাদি পাথিৱ সুখ মাগিছা, স্বর্গসুখ মাগিছা, তাকে পাবা।

ঈশ্বৰ কেশৱ যেন ভকতৰ নিধি।
যেই যিবা চায়ে তাৰ সেই হোৱে সিদ্ধি ॥

এইদেখি তেওঁক সকামভাৱে ভজনা কৰোঁতাই সেইবোৰ পাবই ; কিন্তু তাৰ উপৰিও তেওঁত যদি

তোমাৰ সকলো কাৰ্য্য সমৰ্পণ কৰি ভজনা কৰা তেন্তে তুমি মুক্তি-সুখটোও পাবা। কিন্তু আন দেৱতাই ঐশ্চৰ্য্য-সুখ আদিহে দিব, মুকুতি-সুখ দিব নোৱাৰে; সেইদেখি ঈশ্বৰ কৃষ্ণক ভজনা কৰি তোমাৰ দুটা লাভ হব, দুটা বাট মুকলি হব, ঐশ্চৰ্য্য-সুখ আৰু মুক্তি-সুখ। মুক্তি-সুখটো কি এতিয়া তুমি নুবুজিলেও, তাক পিচত বুজিবলৈ আৰু পাবলৈ বাট থাকিল। এই দুগুণ লাভৰ বাট এৰি এগুণ লাভৰ বাট ধৰিবৰ তুমি হেন shrewd businessman অৰ অৰ্থাৎ চতুৰ ব্যৱসায়ীৰ আৱশ্যক কি? এতেকে কেয়োফালৰপৰা চোৱা, দেখিবা, ঈশ্বৰ কৃষ্ণহে তোমাৰ ভজনীয়। সেই দেখি গছৰ গুৰিডালত ধৰি থকাই ভাল, ডাল-পাতত নোলমি। আৰু গছৰ গুৰিত পানী দিলেই ডাল-পাতলৈ জীপ গৈ ডাল-পাত সন্তুষ্ট থাকিব, গুৰিত নিদি ডাল-পাতত দিলে ডাল-পাতলৈ জীপ নাহি সি শুকাই যাব। "যাৰ প্ৰতি বৃহস্পতি পোন তাৰ ফালে নবয় কোন?" বুলি অসমীয়াত কয়। "কিং কুৰ্ব্বন্তি গ্ৰহাঃ সৰ্ব্বে যস্য কেন্দ্ৰে বৃহস্পতিঃ।" এতেকে সকলোৰে কেন্দ্ৰ ঈশ্বৰ বৃহস্পতিৰ ফালে চাল লোৱাটোহে বুদ্ধিমানৰ কাৰ্য্য। ঘৰৰ খাই ডাঙৰীয়া তোমাৰ প্ৰতি সন্তুষ্ট থাকিলে, বৈৰী, লগুৱা, লিকচৌও সন্তুষ্ট নেথাকি নোৱাৰে। ডাঙৰীয়াক বাদ দি লগুৱা-লিকচৌ, বন্দী-বেটী, বৈৰী আদি এজাকক সন্তুষ্ট কৰিবলৈ গলে বৰ লেঠা, বৰ পৰিশ্ৰম আৰু ডাঙৰ টানত তেওঁলোকে তোমাক একো উপকাৰ কৰিব নোৱাৰে, কাৰণ তেওঁলোকেও তেতিয়া ডাঙৰীয়াৰ ওচৰত কাকুতি কৰি দীঘল হৈ পৰিব লাগিব-গৈ, কিয়নো সেই ডাঙৰ টান অৱস্থাৰপৰা সকলোকে উদ্ধাৰ কৰোঁতাজন এক মাথোন ডাঙৰীয়াহে। ভৱ-সংসাৰ তৰণেই সেই ডাঙৰ অৱস্থা আৰু ঈশ্বৰ কৃষ্ণই সেই ডাঙৰীয়া।

ব্ৰহ্মা মহাদেৱ লক্ষ্মী দেৱী, কায়-বাক্য-মনে থিৰ কৰি,
পৰম আনন্দে চৰণ সেৱয় যাৰ। (ঘোষা)

সেইজনেই—

কৃষ্ণ এক দেৱ দুখহাৰী কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি-স্থিতি-অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ॥ (ঘোষা)

আমি আগেয়ে কৈ আহিছো যে ঈশ্বৰৰ স্বৰূপৰ সকলো প্ৰকাৰৰ ধাৰণা হয়; কোনো ধাৰণাই তেওঁৰ স্বৰূপৰ বহিৰ্ভূত নহয়। কিন্তু তেওঁৰ "সত্যং শিৱং সুন্দৰং" ধাৰণা কেনে শ্ৰেষ্ঠ, কেনে আনন্দময়, কেনে সুখময়, কেনে প্ৰেমময়, এবাৰ ভাবি চোৱা-চোন। এনে আনন্দময়, প্ৰেমময়, সুখময়, সুন্দৰ ধাৰণা। ধাৰণাত জগৎ মন আনন্দময়, প্ৰেমময়, সুখময় আৰু সুন্দৰ হয়। ঈশ্বৰৰ প্ৰতি ভয়ৰ ভাবতকৈ প্ৰেমৰ ভাব, বিশ্বাসৰ ভাব সুমধুৰ সুশীতল নিশ্চয়। ভয় সকলো অনিষ্ট, সকলোৰে উন্নতিৰ প্ৰতিবন্ধকতাৰ মূল, এই কথা সকলোৱে স্বীকাৰ কৰে, আৰু আমি আমাৰ দৈনিক জীৱনত তাৰ হেজাৰ হেজাৰ প্ৰমাণ পাই আছো। এনে স্থলত বৈষ্ণৱৰ ঈশ্বৰৰ ধাৰণা শ্ৰেষ্ঠ নোবোলা কেনেকৈ? শঙ্কৰদেৱৰ ঈশ্বৰৰ ধাৰণা কেনে আনন্দময়, প্ৰশান্ত, শিৱ আৰু সুন্দৰ এবাৰ চোৱা। ভকতে স্থিৰ বুদ্ধি কৰি বৈকুণ্ঠনাথৰ কেনে ৰূপ চিন্তা কৰিবলৈ শঙ্কৰদেৱে কয় চোৱা,—

স্থিৰ বুদ্ধি কৰি ভকতজনে।
প্ৰত্যেক অঙ্গক চিন্তিব মনে॥
চৰণ-পদ্ম দেখি সুখী হুই।
অৰুণ অতি পদতল দুই॥
অঙ্কুশ পদ্ম ধ্বজ বজ্ৰ যৱ।
দেখি চিহ্ন তাতে মিলে উৎসৱ॥
চৰণ-পঙ্কজ আছে প্ৰকাশি।
অঙ্গুলিপান্তি তাৰ ভৈল পাশি॥
দেখৰ বন্তৰ পাকবি নয়।
প্ৰকাশে তাতে নখচন্দ্ৰচয়॥
ৰতনে উজ্জ্বল উঝণ্টি যত।
নূপুৰ প্ৰকাশে পাদপৃষ্ঠত॥
ৰম্ভৰ হোড়ৰ অলে জঙ্ঘাত।
উৰু কৰিবৰ সম সাক্ষাত॥
কটিত প্ৰকাশে বসন পীত।
বান্ধিছে মেখলা বস্ত্ৰে বষ্টিত॥
নাভি-সৰোৰুহ ৰুচিৰ কান্তি।
হৃদয়ে প্ৰকাশে শ্ৰীবৎস-পান্তি॥

এনে ঈশ্বৰৰ ৰূপ ধ্যান কৰিবলৈ শঙ্কৰদেৱৰ উপদেশ। এনে ৰূপ ঈশ্বৰে ভকতৰ নিমিত্তে ধৰে অৰ্থাৎ যাতে ভকতে এনে আনন্দময়, প্ৰেমময় ৰূপ হৃদয়ত ধাৰণ কৰি সন্তোষ লাভ কৰি কৃতাৰ্থ হয়, তাৰ নিমিত্তে এই মনোহৰ ৰূপ ঈশ্বৰে পৰিগ্ৰহ কৰে। "ধৰিছা মূৰ্ত্তি ভকতৰ পদে।"

বৈকুণ্ঠত ঈশ্বৰ কেনে সন্তোষময় হৈ থকাটো ভকতে ধাৰণা কৰে চোৱা, শঙ্কৰদেৱৰ কথাৰে কওঁ—

বৈকুণ্ঠত কেশৱ সাক্ষাত।
শুতি থাকা অনন্ত শয্যাত॥
লক্ষ্মীৰ কোলাতে থৈয়া ভৰি।
লক্ষ্মীও খাণ্টন্ত হাতে ধৰি॥
মূৰ্ত্তি ধৰি বেদশাস্ত্ৰগণ।
কৰে বেঢ়ি মহিমা কীৰ্ত্তন॥

বৈকুণ্ঠনাথে পৰিষদ জয়-বিজয়ৰ চাৰি লিজৰ হাতত অধাৰৰ শিক্ষা ভনি তেওঁৰ মন্দিৰৰ অভ্যন্তৰ এৰি বাহিৰলৈ ওলাই অহাৰ কি সুন্দৰ ধাৰণা চোৱা,—

হেন অথান্তৰ শুনিয়া হৰি।
আসন্ত বজাই অভ্যন্তৰ এৰি ॥
অনেক পৰিচ্ছদে লক্ষ্মী মাৰে।
পাছুত চলি যান্ত ভূমি-পাৰে ॥
শুক্ল চামৰে বিঞ্চে দুই কাষে।
ওপৰে শ্বেত ছত্ৰ ধৰি আছে ॥
তাতে চন্দ্ৰকান্তে স্ৰবে শিশিৰ।
চলি যান্ত হৰি গতি গম্ভীৰ ॥

এই হল সংক্ষেপতে বৈকুণ্ঠনাথৰ সম্পৰ্কে ধাৰণা। বৈকুণ্ঠ, য'লৈ যাবলৈ ভক্তৰ হেঁপাহ, তাৰ ধাৰণা কি চোৱা যাওক। শঙ্কৰদেৱৰ বৈকুণ্ঠ বৰ্ণনা তলত তুলি দিলোঁ—

বৈকুণ্ঠ নামে আছে মহা থান ॥
যৈত শাৰী শাৰী বঙ্গে বিমানচয়।
বৈদূৰ্য্য হীৰা মৰকতময় ॥
চন্দ্ৰ সূৰ্য্য যেন প্ৰকাশে আতি।
নাজানি যাত পশি দিন ৰাতি ॥
চাৰু সৰোবৰ নিৰ্ম্মল জল।
সুগন্ধি পদ্ম শোভে উতপল ॥
আছে ৰাজহংস সমূহে বঞ্চি।
লীলায়ে মৃণাল ভুঞ্জে উভঞ্চি ॥ ইত্যাদি

এনেজন ঈশ্বৰ সেই বৈকুণ্ঠত আছে, যাক স্মৰণ কৰিলে পাতকৰাশি ধ্বংস হয়। তেওঁ "মহদ্ভয়ং বজ্ৰমুদ্যতং" ভক্তৰ নিমিত্তে নহয়, তেওঁ আমাৰ পিতৃভাবে আছে, বন্ধুভাবে আছে।

শঙ্কৰদেৱৰ কীৰ্ত্তনৰ আৰু এঠাইৰপৰা বৈকুণ্ঠৰ ধাৰণা অলপ দিওঁ। চাৰি সিদ্ধই ফুৰোঁতে ফুৰোঁতে এদিন বৈকুণ্ঠপুৰী দেখিলে।

অতি আনন্দিত বিষ্ণুৰ স্থানে।
সবে চতুৰ্ভুজ পুৰুষবানে ॥
যতেক ৰমণী লক্ষ্মী প্ৰত্যেক।
কল্পতৰু সম বৃক্ষ যতেক ॥
বৈমানিকগণ পৰম ৰঙ্গে ॥
হাতত তাল নাৰীগণ সঙ্গে ॥
গাৱন্ত কৃষ্ণৰ গুণ-চৰিত্ৰ।
আনন্দতে দ্ৰবে সবাৰ চিত্ত ॥
সুগন্ধি বায়ুক কৰে ধিক্কাৰ।
সিবেলা মনক মোহে আমাৰ ॥
ভ্ৰমৰৰাজে গাৱে হৰিগীত।
যতেক পক্ষী তাতে দিয়া চিত ॥
নকৰে আবাৰ থাকে নিচুকে।
কৃষ্ণৰ চৰিত্ৰ শুনে উৎসুকে ॥
চৰি ৰত্নময় দিব্য বিমানে।
যতেক সুন্দৰী পদ্মিনী মানে ॥

হাস-লাস কৰি দৰ্পণে গাৱ।
বৈষ্ণৱ জনৰ নোপজে ভাৱ ॥
হৰিৰ গৃহে মহালক্ষ্মী মাৰে।
হাতে ফুৰাই পদ্ম ভ্ৰমন্ত পাৰে ॥
দেখিয়া স্ফটিক বাৰৰ গুণে।
মাঞ্জে গৃহ যেন লক্ষ্মী আপুনে ॥

বৈকুণ্ঠনাথক দেখা গল, তেওঁৰ বৈকুণ্ঠৰো অলপ আভাস পোৱা গল, তেওঁৰ স্বভাৱৰ অলপ আভাস বিচৰা যাওক। দিগ্বাস উলঙ্গ ব্ৰাহ্মণ চাৰিজন কৃষ্ণৰ হৰ্ম্ম্যৰ অভ্যন্তৰলৈ সোমাই গৈছিল, দুৱাৰত থকা দুৱৰী দুজনক নোসোধাকৈ। তেওঁলোকৰ গতিগোত্ৰ আৰু বেশ দেখি দুৱৰীৰ মনত তেওঁলোক বলিয়া যেনহে লাগিল, সেইদেখি দুৱৰীয়ে তেওঁলোকক সোমাবলৈ নিদি উলিয়াই দিলে। তাতে তেওঁলোকে অপমান পাই তেওঁলোকৰ খং উঠি দুৱৰীক শাপ দি দণ্ডবিধান কৰিলে। চাৰলৈ গলে অময়া বৈকুণ্ঠত মায়া দেখা দুৱৰীৰ গাত যেনে দোষ পৰে, মানৰ লাঘৱত ক্ৰোধৰ বশীভূত হোৱা ব্ৰাহ্মণৰ গাতো অবৈষ্ণৱ নিচিনা দোষৰ ছাট নপৰি নাথাকে। এনে অৱস্থাত বৈকুণ্ঠৰ অধিপতিয়ে কেনে আচৰণ কৰি তেওঁৰ স্বভাৱৰ নিদৰ্শন দিলে এবাৰ চোৱা। তেওঁলোক চাৰিওকো তেওঁ অনুতপ্ত দেখি কলে—

পাৰিষদ জয় বিজয় মোৰ।
কৰিল অপৰাধ মহা ঘোৰ ॥
বিহিলা উচিত দণ্ড ইহাক।
কদৰ্থিলা দুয়ো অতি আমাক ॥
সেৱকে যদি কৰে অপকাৰ।
পাৱে অপযশে স্বামীক তাৰ ॥
ক্ষমিয়োক মোক চাৰি মহা শিষ্ট।
ব্ৰাহ্মণগণ মোৰ মহা ইষ্ট ॥

ত্ৰিগুণাতীত ঈশ্বৰ সাত্ত্বিক মূৰ্ত্তিৰ পূৰ্ণ বিকাশ বৈকুণ্ঠনাথৰ এই বাক্য বৈকুণ্ঠনাথৰেহে উপযুক্ত। ঈশ্বৰৰ ধাৰণাৰ চূড়ান্ত সীমা ওপৰৰ কথা কেইষাৰ। ভৃগুৱ গোৰৰ সাঁচক শ্ৰীবৎস চিহ্ন কৰি লোৱা কৃষ্ণৰ ই উপযুক্ত বাক্যই। ঈশ্বৰৰ এনে বাক্য শুনি বৈষ্ণৱ বিপ্ৰসকলে নিজৰ অবৈষ্ণৱ অনোচিত কাৰ্য্যৰ বাবে লাজ পাই যি কলে, সেই কথাই ওপৰৰ কথাৰ মৰ্ম্ম ব্যক্ত কৰে।

তোমাৰ বচন ম্বামী।
নবুজিলো কিছু আমি ॥
আপুনি ঈশ্বৰ হুয়া।
মোলাহা কৰিয়ো দয়া ॥
ত্ৰিজগতে কৰে সেৱ।
যোলা বিপ্ৰ মোৰ দেৱ ॥

যত দেৱ দ্বিজ তুমি।
সবাৰো দেৱতা তুমি॥
ধৰ্ম্মৰো পৰম গুহ্য।
তুমি জগতৰে পূজ্য॥
যাৰ ৰূপ দিয়ে ধৰি।
দুস্তৰ মৃত্যুক তৰি॥
তাক আনে কৰে দায়া।
কোনে বুজিবেক মায়া॥
মান্য কৰি ব্ৰাহ্মণক।
শিক্ষা দিয়া সামান্যক॥
ধৰ্ম্মপথ ৰক্ষা কৰি।
সৃষ্টি প্ৰবৰ্ত্তাৱা হৰি॥
তযু পাৰিষদ দুই।
আকো শাপো মনি হুই॥
কৰিলো দাৰুণ পাপ।
দণ্ডিয়ো জগত বাপ॥

ইয়াৰ উত্তৰত ঈশ্বৰে তেওঁলোকক কলে—

মুনিগণ এৰা তাপ।
আমিসে দিয়ালো শাপ॥
বৈৰভাবে চিন্তি মোক।
দুনাই পাইবা এহি লোক॥

ঈশ্বৰে যে সকলো কৰায়, ঈশ্বৰেহে সকলোৰে কৰ্ত্তা, আমি মায়াত মুগ্ধ হৈ নিজে কৰোঁ বুলি ভাবোঁ, শেহৰ এই চাৰি শাৰীয়ে তাকে কয়। আৰু এটা কয়, যে বৈষ্ণৱ হৈ ঈশ্বৰৰ পাৰিষদৰ পদ পালেও, সেই পদ-গৌৰৱত অহঙ্কাৰৰ ভাৱ ভক্ত বৈষ্ণৱৰ হোৱা উচিত নহয়; হলে তেওঁৰ সেই পাপৰ স্খালণ হব লাগে; সেই পাপৰ বাবে তেওঁৰ স্বামী প্ৰভু ঈশ্বৰে তেওঁক একেবাৰেই পৰিত্যাগ নকৰে, শুধৰাই লয় আৰু নিজেও তেওঁৰ দুৰ্দ্দশাৰ লগে লগে ফুৰি দুৰ্দ্দশাৰ ভাগ লয়। পৃথিৱীৰ মানুহৰ পাপৰ নিমিত্তে খৃষ্টই এবাৰহে 'ক্ৰুছিফাইড' হৈছিল, বৈকুণ্ঠনাথে ভক্তৰ নিমিত্তে দিনৌ শত সহস্ৰবাৰ হবই লাগিছে। ভক্তৰ মন সদায় সুনিৰ্ম্মল ৰাখিব লাগে; সি দৰ্পণৰ নিচিনা। আজি সি নিৰ্ম্মল হৈ আছে বুলি যদি তালৈ আওকাণ কৰিলা, তেন্তে কাইলৈ তাৰ ওপৰত আকৌ মলি পৰি তাক আবৃত কৰিব; মন এনে পদাৰ্থ। এইদেখি সদায় ঈশ্বৰ চিন্তা, নামগুণ শ্ৰৱণ-কীৰ্ত্তনৰ ব্যৱস্থা সাধুসকলে দিছে। ভক্তবৎসল ভগৱন্তৰ আৰু ভগৱন্ত ভক্তৰ এই উজ্জ্বল চিত্ৰ আমাৰ শঙ্কৰদেৱে আমাক দেখুৱাইছে। আৰু কেনে গোটাচেৰেক উজু কথাৰে ৰচিত শাৰীচেৰেক পদেৰে অমূল্য গভীৰ জ্ঞানৰ উপদেশ তেওঁ দিছে, হেৰা চকুত চাবনি পৰা অবিশ্বাসীসকল, চাই লোৱা। এনেজন মহাপুৰুষতো তোমালোকে পূৰ্ণ বিশ্বাস কৰিবলৈ নোৱোৰা। এনেজন প্ৰশান্ত পুৰুষ আনন্দময়, অহাতো তোমৰা কৰা সংশয়।

ঈশ্বৰক ভজনা কৰোতা ভক্তক ঈশ্বৰে তেওঁৰ সাৰূপ্য দিয়ে। মনোহৰ কৃষ্ণৰূপ ভজনা কৰোঁতা ভক্তই কৃষ্ণৰ ৰূপকে পায়। ৰুদ্ৰৰূপ কালান্তক মূৰ্ত্তিক ভজনা কৰা ভক্তই তেনেকুৱা মূৰ্ত্তি পৰিগ্ৰহ কৰে। "যাদৃশী ভাৱনা যস্য সিদ্ধিৰ্ভৱতি তাদৃশী" বুলি উজু সংস্কৃত শ্লোক আছে। সাধাৰণ লোকে বাঘ-পৰুৱাৰ ভয়ত বাঘ-পৰুৱাৰ ৰূপ ধৰে বুলি শাস্ত্ৰত উপমা আছে। বৈকুণ্ঠবাসীৰ ৰূপ সেইদেখি ভেঙুৰা-ভেঙুৰি কুশ্ৰী ভূত-প্ৰেতৰ নিচিনা ভয়ানক নহয়। তেওঁলোক Old Testament আৰু New Testament বাইবেলৰ পাখিলগা আদমানুহ আদচৰাইৰ নিচিনাও নহয়। তেওঁলোক আমাৰ নিচিনা পুৰুষ-স্ত্ৰী, দেখিবলৈ মনোমুগ্ধকৰ সুন্দৰ-সুন্দৰী। মহাপুৰুষ ৰচিত কীৰ্ত্তনৰ-পৰা ওপৰত দিয়া বৈকুণ্ঠ-বৰ্ণনাৰপৰাই সেইটো আমি ভালকৈ দেখিবলৈ পাইছো। আমাৰ কথাৰ উদাহৰণ স্বৰূপে ভকত দুৱৰী জয়-বিজয়ৰ ৰূপৰ বৰ্ণনাকে এইখিনিতে তুলি দিওঁ চোৱা, দেখিবা তেওঁলোকৰ ৰূপ তেওঁলোকৰ প্ৰভু ঈশ্বৰ কৃষ্ণৰে নিচিনা অবিকল; কেৱল বুকুত শ্ৰীবৎসচিন বাদ। শ্ৰীবৎসচিন বৈকুণ্ঠনাথৰ চূড়ান্ত পৰীক্ষাৰ medal, চোক্ মা। পাৰিষদসকলে, ভকতসকলে সেই মহলাত উঠা নাই দেখি তাক পোৱা নাই। উদাহৰণ স্বৰূপে চোৱা, সনক সনন্দ সনত্কুমাৰ সনাতনৰ নিচিনা যোগী বৈৰাগী ভক্ত, যি গাত কাপোৰ এডোখৰৰ আৱশ্যকতাও অনুভৱ নকৰে, এনে যোগীৰে জয়-বিজয়ৰ ওপৰত উঠিল খং আৰু সিকালে কৃষ্ণৰ সাৰূপ্য পোৱা জয়-বিজয়েই চাৰি সিদ্ধক উলঙ্গ দেখি মায়া দেখিলে। যাওক, জয়-বিজয় নামৰ পাৰিষদ দুজনৰ ৰূপৰ বৰ্ণনালৈ চোৱা—

সপ্তম দ্বাৰৰ দুই পাশে।
দুইৰো শিৰে কিৰীটি প্ৰকাশে॥
পদ্মনেত্ৰে বদন-মণ্ডলে।
শোভে গণ্ড মকৰ কুণ্ডলে॥
সুন্দৰ নাসিকা অল্প হাস।
চাৰু শ্যাম তনু পীতবাস॥
যেন কুণ্ড পুষ্প দন্তপাতি।
কেয়ুৰ কঙ্কণে কৰে কান্তি॥
দুইৰো চতুৰ্ভুজ আতি জলে।
বনমালা শোভে বক্ষঃস্থলে॥
সেৱে তাক ভ্ৰমৰে গুঞ্জৰি।

কৰিৰ সুন্দৰ কল্পনাৰ চূড়ান্ত গতি ঈশ্বৰৰ স্বৰূপ সমীপৱৰ্ত্তী। সেইদেখি বেদবাদী ঋষিসকলক কৰি বোলে। দৰ্শনৰ দুষ্টি যলৈ যাব নোৱাৰে,

কৰিৰ দৃষ্টি ত'লৈ যায়। কবিৰ দৃষ্টি অন্তৰাত্মাৰ দৃষ্টি। উপনিষদত সেইদেখি ঈশ্বৰকো কবি বুলিছে— "কবিৰ্মনীষী পৰিভূঃ স্বয়ম্ভূঃ।"

মহাপুৰুষ মাধৱদেৱে ঘোষাত জ্ঞানী আৰু ভক্তৰ তাৰতম্য দেখুৱাই লেখিছে—

জ্ঞাননিষ্ঠজনে বিদ্যা- অবিদ্যা-জনিত দুয়ো
সুখে বিবৰতি ভৈল বেৰে।
বাসুদেৱময় মাত্ৰ দেখয় জগত ইটো
বিধিৰ কিঙ্কৰ গুচে তেৰে ॥

পুৰুষোত্তম-প্ৰেম- ভকতি-সুখক মাত্ৰ
নিশ্চয় কৰিল যিটো জন।
শৰণ-কালৰপৰা বিধিৰ কিঙ্কৰ গুচি
কৰে সদা শ্ৰৱণ কীৰ্ত্তন ॥

জ্ঞান যদিও উৎকৃষ্ট কিন্তু সি পৰমেশ্বৰক লাভ কৰিবৰ নিমিত্তে ভক্তিতকৈ উৎকৃষ্ট নহয় আৰু হব নোৱাৰে। ভক্তি সহায় কৰিবলৈ, যদিও ভক্তি অকলৈ শকত, জ্ঞান যিমানফেৰা আৱশ্যক সিমান-ফেৰাই জোৰে; বেছিকৈ জ্ঞানৰ ফালে ঢাল হৈ পৰিলে, ভক্তিলৈ আওকাণ হবৰ ভয় অথচ ভক্তিহে ঈশ্বৰ লাভৰ মূল পদাৰ্থ। জ্ঞান মানে ক্ষমতা; কোনো এটা পদাৰ্থক জনা বা সেই পদাৰ্থ আৰু সেইজনৰ বিষয় তোমাৰ ক্ষমতাৰ কিছুদূৰ আয়ত্ত হোৱা। ইংৰাজীত কয়, Knowledge is power এই জনা বা জ্ঞানে তোমাক ক্ষমতা প্ৰদান কৰে আৰু সেই Knowledge অৰ্থাৎ জ্ঞানপ্ৰদত্ত ক্ষমতাৰ অধিকাৰী তুমি হলে তোমাৰ মনলৈ অহঙ্কাৰ আৰু অহম্মৰ ভাব অলপ নহয় অলপ অহাটো খুব সম্ভৱ। পৰমেশ্বৰ অসীম জ্ঞানসিন্ধু, তুমি আয়ত্ত কৰা ক্ষুদ্ৰাতিক্ষুদ্ৰ জ্ঞানবিন্দুৱে তেওঁক জনাত বা তেওঁৰ বিষয়ে আয়ত্ত কৰাত যিমানফেৰা সহায় কৰিব, তাতকৈ তোমাৰ মনলৈ ক্ষমতাৰ অহম্মৰ ভাব আনিবৰ বিপদ সৰহ। ভক্তি কিন্তু entire resignation; তাত অহম্মৰ ভাবৰ গোন্ধ পৰ্য্যন্ত নাই; সেইদেখি ভক্তি নিৰাপদ আৰু ঈশ্বৰ লাভৰ মুখ্য বস্তু। এই নিমিত্তে ভক্তই গায়—

দেৱৰ দুৰ্লভ ঈশ্বৰ-কৃষ্ণক
ভকতিসে কৰে বশ্য।
আগম নিগম গীতা ভাগৱত
শাস্ত্ৰৰ ইটো ৰহস্য ॥ (ঘোষা)

জ্ঞান মাৰ্গাৱলম্বী বেদবাদী, কৰ্ম্মমাৰ্গাৱলম্বী বেদবাদী, জ্ঞান পথ আশ্ৰয় কৰোঁতা দাৰ্শনিক পণ্ডিত-সকলৰ অহম্মৰ ভাব মনত উৎপন্ন হোৱাৰ উদাহৰণ অনেক। দাৰ্শনিকে জ্ঞানৰ খুন্দা বজাইহে পৰি সেহত ঈশ্বৰক উৰাই দি নিজেও উৰি শূন্য মাৰ্গত পৰাৰ উদাহৰণো তাকৰীয়া নহয়। এইদেখি জ্ঞানী মহন্তই অব্যভিচাৰী ভক্তিৰে কৃষ্ণক ভজনা কৰিবলৈ বাৰে বাৰে উপদেশ দিয়ে।—

কৃষ্ণকেসে মাত্ৰ ভজে যিটো জনে
অব্যভিচাৰী ভকতি।
তিনি গুণ অতি- ক্ৰমি ব্ৰহ্মৰূপ
পাৱে সিটো মহামতি ॥ (ঘোষা)

এইদেখি জ্ঞানী সাধুজনে কয়—

তিনি গুণময় যত জ্ঞান কৰ্ম্ম
কেৱল বন্ধ কাৰণ।
জানি তাক ত্যজি একান্ত ভকতি
ভজিয়ো কৃষ্ণ চৰণ ॥ (ঘোষা)

তেওঁ কয়, জ্ঞান চৰ্চ্চা কৰা, কৰ্ম্ম কৰা, কিন্তু তিনি গুণ বিজড়িত জ্ঞান কৰ্ম্মৰ আশ্ৰয় নলবা; ললে তুমি সংসাৰৰ বান্ধোনেৰে বান্ধহে খাবা, মুক্তি নোপোৱা। একমাত্ৰ সত্ত্বগুণৰ আশ্ৰয় লৈ জ্ঞান চৰ্চ্চা কৰা, ঈশ্বৰৰ সুপ্ৰীতিৰ অৰ্থে কৰ্ত্তব্য জ্ঞানেৰে ফলাকাঙ্ক্ষা নকৰি কৰ্ম্ম কৰা, তেনেহলে তোমাক সেই জ্ঞান কৰ্ম্মই বান্ধিব নোৱাৰে আৰু মোক্ষৰ প্ৰধান সমল ভক্তিৰ সি প্ৰতিবন্ধক হব নোৱাৰে। এই কথাকে মাধৱদেৱে ঘোষাত কৈছে—

ৰজোগুণ তমো- গুণময় বৃত্তি
কেৱল আসুৰী ভাৱ।
শুদ্ধ সত্ত্ব-বৃত্তি দেৱৰ সম্পত্তি
লৈয়া ভজা কৃষ্ণ পাৱ ॥

কৃষ্ণক ভজনা কৰিবৰ, ঐকান্তিক ভক্তি কৰিবৰ প্ৰথম উপায় মহন্তৰ সঙ্গ,—

মহন্তৰ সঙ্গে হৰি কথা ৰসে
মনক ভিজাৱো ভাই।
মায়াক তৰিয়া হৰি পাইবাৰ
আৰৰ উপায় নাই ॥ (ঘোষা)

কেনে মহন্তৰ সঙ্গ লব লাগে মহাপুৰুষ মাধৱদেৱে কৈ দিছে, শুনা—

যাহাৰ জিহ্বাতে থাকয় সতত
হৰিৰ নাম মঙ্গল।
সেহিসে মহন্ত তাহাৰেসে মাত্ৰ
সিজয় ধৰ্ম্ম সকল ॥

আৰু সেই মহন্তৰ মুখৰপৰা হৰিনাম নুগুচে কিয়? তাৰ কাৰণ, তেওঁ সমগ্ৰ শাস্ত্ৰ তন্নতন্নকৈ পঢ়ি তাৰ তত্ত্ব বিচাৰি পালেগৈ যে ঈশ্বৰলাভৰ

একমাত্ৰ উপায় ঈশ্বৰৰ নাম শ্ৰৱণ-কীৰ্ত্তন ; তেহেলে যেয়ে যিহকে কওক। ভক্তি সৰ্বোচ্চ পদাৰ্থ আৰু শ্ৰেষ্ঠ ভক্তি হৈছে নাম শ্ৰৱণ-কীৰ্ত্তন। সেইদেখি তেওঁ

সমস্ত শাস্ত্ৰৰ তত্ত্বক জানিয়া
নেৰয় নাম মুখত।
সিটো মহাজনে অপ্ৰয়াসে তৰে
সংসাৰ ঘোৰ দুঃখত॥

এই বাবে শঙ্কৰ-মাধৱ দুজনা গুৰুৱে উপদেশ দিছে— "হৰি ৰাম হৰি ৰাম এ মহামন্ত্ৰ।" (কীৰ্ত্তন)

ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোলা ভাই
ত্যজিয়া লাজ আয়াস।
শাস্ত্ৰ আচাৰ্য্যৰ উপাসা কৰিয়া
বাসনা কৰা বিনাশ॥ (ঘোষা)

ভক্তি-তত্ত্ব

মহাপুৰুষে ঘোষাত কৈছে,—

তাৰত কৃষ্ণৰ ভক্ত নৰে ভক্তি অবিৰোধী কৰ্ম্ম কৰে
কৃষ্ণৰ কথাত ৰতি যাৰে নুপজয়।
যেবে ভৈল কৃষ্ণ কথাৰত নিত্য-নৈমিত্তিক আদি যত,
কথাৰ বিৰোধী জানিয়া সবে ত্যজয়॥

অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ,
জানিবাহা হৈবেক নিশ্চয়।
পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল,
তাৰ একো নাহিক নিৰ্ণয়॥

ৰামকৃষ্ণ পৰমহংসদেৱে কৈছিল,—

"যখন একবার হরি বা রামনাম করলে রোমাঞ্চ হয়, অশ্রুপাত হয়, তখন নিশ্চয়ই জেনো যে সন্ধ্যাদি কর্ম্ম আর করতে হবে না। তখন কর্ম্ম-ত্যাগের অধিকার হয়েছে, কর্ম্ম আপনাআপনি ত্যাগ হয়ে যাচ্ছে। তখন কেবল রামনাম কি শুদ্ধ ওঁকার জপলেই হল। সন্ধ্যা গায়ত্রীতে লয় হয়। গায়ত্রী আবার ওঁকারে লয় হয়।"

যাহাৰ ভোগত নতু হোৱে বিৰকতি।
স্বৰ্গাদিৰ অৰ্থে কৰ্ম্ম কৰিব সম্প্ৰতি॥
ইন্দ্ৰিয়ৰ ভোগে বিৰকতি ভৈল যাৰ।
নিত্যনৈমিত্তিক কৰিবাক লাগে তাৰ॥
ভৈল যাৰ শ্ৰদ্ধা মোৰ কথা শ্ৰৱণত।
নিত্যনৈমিত্তিক আদি কৰি কৰ্ম্ম যত॥
কথাৰ বিৰোধী জানি ত্যজিবে সকল।
সমস্ত কৰ্ম্মৰ কথা শ্ৰৱণেসে ফল॥"
(ৰত্নাৱলী)

বেদ ভগৱন্তৰ বাক্য। সমাজ ৰক্ষাৰ নিমিত্তে সকলোৱে বেদৰ বিধান পালন কৰা উচিত। সেই-দেখি যাৰ ভগৱন্তৰ চৰণত একনিষ্ঠ ভক্তি হোৱা নাই, যি নাম-ধৰ্মত একান্ত শৰণ লৈ কায়মনোবাক্যে ঈশ্বৰৰ নাম উচ্চাৰণ কৰি কৰি তাতে তাৰ চিত্ত মগ্ন হোৱা নাই, সি যদি—মই নাম লৈছো, এতেকে বেদৰ বিধান মোৰ অনাৱশ্যক, এনেভাৱে চলে, সি নিশ্চয় বেদলঙ্ঘনৰ দোষত পৰি দোষী হৈ ঈশ্বৰৰ আজ্ঞাভেদী হব। ঈশ্বৰে সৃষ্টি প্ৰৱৰ্ত্তবাৰ নিমিত্তে শ্ৰুতি-স্মৃতিৰ বিধানৰ ধৰ্ম্মপথ নিৰ্দ্দিষ্ট কৰি দিছে, নতুবা মানুহৰ বাট হেৰাব।

ধৰ্ম্মপথ ৰক্ষা কৰি।
সৃষ্টি প্ৰৱৰ্ত্তাম্মা হৰি॥ (কীৰ্ত্তন-ঘোষা)

মাধৱে বোলন্ত শ্ৰুতিস্মৃতি মোৰ আজ্ঞাবাণী জানা নিষ্ঠ
আক যিটো জনে উলঙ্ঘিয়া প্ৰৱৰ্ত্তয়।
ভৈল সিটো মোৰ আজ্ঞাছেদী মোৰ দ্বেষ কৰিলেক অতি
মোৰ ভক্ত হোন্তে বৈষ্ণৱ সিটো নোহয়॥

ভক্তই কয়,—

হৰিভক্তি ৰাজমাৰ্গ গুৰু-পদ-নখ-চন্দ্ৰ প্ৰকাশয়
শ্ৰুতি-জননীৰ পদপথ অনুসৰি।
ফুৰোঁ হয়া অতি আনন্দিত স্খলন নাহিকে কদাচিত
মহাজনসবে জানিবাহা নিষ্ঠ কৰি॥

বহুতৰ ধাৰণা এনেকুৱা যে মই শ্ৰুতি-স্মৃতিৰ বিধান মানি কিয় চলিম, অকল নাম ললেই হল। আমি কওঁ কথাটো ঠিক ; অকল নাম ললেই হয় ; কিন্তু কায়মনোবাক্যে নাম লব লাগিব। বেদৰ বিধানৰ হাত সাৰিবৰ বাবে টেঙৰালি কৰি নাম ললে নহয়। সেই দেখি শ্ৰীশঙ্কৰদেৱে কীৰ্ত্তনৰ নামাপৰাধ খণ্ডত কৈছে—

নামত বলে কৰে পাপ বুদ্ধি।
অষ্টাঙ্গ যোগে তাৰ নাহি সিদ্ধি॥

শ্ৰীমাধৱদেৱে ঘোষাত কৈছে—

শুদ্ধে বা অশুদ্ধে এক নাম শুনে বা ভণে বা মনে স্মৰে
অপৰাধহীন পুৰুষক সদ্যে তাৰে।
দেহ ধন জন অৰ্থ-লোভে পাষণ্ড বুদ্ধিয়ে যিটো লৱে
সিটো হৰিনাম তাৰিবিতে শীঘ্ৰে নাপাৰে॥
'অপৰাধহীন' মানে শ্ৰীশঙ্কৰদেৱে কোৱা সেই নামাপৰাধহীন।

ভক্তিয়েই হৈছে ঈশ্বৰক পাবৰ প্ৰধান উপায়। নিৰ্ভাজ প্ৰেম-ভক্তিয়ে জ্ঞান বা কৰ্ম্ম কাৰো সহায় নিবিচাৰে ; সি নিজেই শকত। কিন্তু ভক্তি মানে

অন্ধ ভক্তি নহয়। ভক্তিয়ে জ্ঞানৰ সহায় বিচাৰক, পিছে জ্ঞানে ভক্তিৰ দাসত্ব আপোন ইচ্ছাতে কৰিবই কৰিব নতুবা জ্ঞানক কোনে 'পুছে ?' অনন্ত জ্ঞানময় ঈশ্বৰৰ জ্ঞান ক্ষুদ্ৰাতিক্ষুদ্ৰ মনুষ্যই কিমান ফেৰাই বা লাভ কৰিব পাৰে ?

অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।
ঈশ্বৰৰ ৰোম বিবৰ মহ কোটি কোটি অণ্ড
তাণ্ডৱ কৰু সম বেণু।

এনে ঈশ্বৰৰ বিষয়ে কণামাত্ৰ জ্ঞান লৈয়েই যদি বালিচাহী মানুহে জ্ঞানৰ আড়ম্বৰ কৰি জ্ঞানী হৈ ফুৰি তেওঁক পালো বুলি ৰবাই কৰে, তেন্তে সি হাঁহিয় তৰ কথাহে। ঈশ্বৰৰ সৃষ্টি অলেখ শক্তিৰ এটা কণা-কড়ি লৈ মানুহে ছায়েন্স বা বিজ্ঞান ঘাটি ইলেক্ট্ৰিচিটি, ৰাইৰ্লেছ, টেলিফোন ইত্যাদি এইটো সেইটো উলিয়াই গপ মাৰি ফুৰিছে, কিন্তু এক নিমিষতে বতাহ, বৰষুণ, ভুঁইকঁপ, টাইডেল ৱেভ ইত্যাদিৰ আগত সেইবোৰ শূন্য। মানুহৰ চেষ্টাত প্ৰস্তুত কত সভ্যতা, কত জ্ঞানৰ উৎকৰ্ষ তিলেকতে এই পৃথিৱীত ক'ত অদৃশ্য হৈ গৈছে, কোনে কব? মানুহৰ বিজ্ঞানৰ 'লেব'ৰেটৰিত' আজিলৈকে দুবৰি বনৰ পাত এটাকে তৈয়াৰ কৰি উলিয়াৰ পৰা নাই। তথাপি ঈশ্বৰৰ অনন্ত ৰাজ্যত ক্ষুদ্ৰ বালিচাহী যেন মানুহৰ আস্পৰ্দ্ধা দেখি হাঁহি উঠে।

ঈশ্বৰৰ কৰুণা পাবৰ হলে এক মাথোন উপায় ভক্তি। এহাগুধীয়া ভক্তিৰ বাহিৰে আন প্ৰকৃষ্ট উপায় নাই আৰু কলিকালত শ্ৰৱণ-কীৰ্ত্তন ভক্তিয়েই শ্ৰেষ্ঠ ভক্তি-ধৰ্ম্ম, নাম-ধৰ্ম্ম। ঈশ্বৰত কায়মনোবাক্যে শৰণ, ভজন, আৰু ঈশ্বৰৰ গুণানুশ্ৰৱণ-কীৰ্ত্তন ;—যি গুণ আৰু নাম ঈশ্বৰে মায়াৰ দ্বাৰায় মানুষী তনু ধাৰণ কৰি তেওঁৰ ভক্তসকলক অনুগ্ৰহ কৰিবৰ নিমিত্তে প্ৰকাশ কৰিছে। তেওঁ মানুহক জ্ঞান বুদ্ধি দি সৃজন কৰি কেতিয়াও দলনিত পোনা মেলা দি মেলি এৰা নাই নিশ্চয়। নতুবা তেওঁ মানুহক সৃজন নকৰিলে-হেঁতেন আৰু মানুহৰ মনত ঈশ্বৰক পাবৰ আকাংক্ষাও নিদিলেহেঁতেন। তেওঁ অবুজন নহয়, তেওঁ দয়াৰ সাগৰ। নতুবা তেওঁ মানুহৰ অভাৱ মোচনৰ নিমিত্তে এই পৃথিৱীত ইমানবোৰ আৱশ্যকীয় বস্তুৰ দিহা কৰি কেতিয়াও নধলেহেঁতেন। ৰামকৃষ্ণ-পৰমহংসদেৱে কৈছিল, ভক্তি অন্দৰমহললৈকে যাব পৰা তিৰোতা মানুহৰ নিচিনা। জ্ঞান বাহিৰত বৰচ'ৰাত বহা বিজ্ঞ সভাসদ। অন্তেষপুৰলৈ যাব পৰা ভক্তি নিশ্চয় ঈশ্বৰৰ অন্তেষপুৰবৰ্ত্তিনী। বৰচ'ৰাত বহি 'ভিক্ৰি-ডিছমিছ' কৰি থাকোঁতা নেলভগীয়া বিজ্ঞ ডাঙৰীয়া-সকলতকৈ অন্তেষপুৰগামিনী ভক্তিয়ে মোৰ প্ৰভুৰ অন্তৰ অতি সহজে চুব যে তাৰ কোনো ভুল নাই। এইদেখি মোৰাত মহাপুৰুষে লেখিছে—

শৰদ-ব্ৰহ্মৰ পাৰ ভৈল যিটো কৃষ্ণত ভকতি নাই।
তাৰ মাত্ৰ শ্ৰম, শ্ৰম মাত্ৰ ফল, যেন ৰাখে বাজী গাই ॥

প্ৰহ্লাদক নৃসিংহই বৰ যাচোতে প্ৰহ্লাদে কৈছিল—

ভক্তিসে পৰম লাভ জানি।

দৈত্য শিশুসকলক উপদেশ দি প্ৰহ্লাদে কৈছিল,—

নলাগে ভক্তিত দেৱ দ্বিজ ঋষি হইবে।
নলাগে সমস্ত শাস্ত্ৰ বিস্তৰ জানিবে ॥
তপ জপ যজ্ঞ দান সবে বিড়ম্বন।
কেৱলে ভক্তিত তুষ্ট হোন্ত নাৰায়ণ ॥

নৃসিংহই প্ৰহ্লাদক কৈছিল,—

যৈত থাকে মোৰ ভক্ত উদাৰ-চৰিত্ৰ।
কীট-পতঙ্গকো তথা কৰয় পৱিত্ৰ ॥
নকৰে প্ৰাণীক হিংসা নাহি একো স্পৃহা।
আমাত অৰ্পণ কৰে আপোনাৰ দেহা ॥

সুদামা মালীক শ্ৰীকৃষ্ণই বৰ লেৱা বুলি বৰ যাচিলত সুদামাই কলে—

শুনিয়া মালী বোলে যুৰি হাত।
থাকোক অচলা ভক্তি তোমাত ॥
বিষ্ণু ভকতে সে হৈব বান্ধৱ।
ভূতদয়া যেন নাছাড়ে মাধৱ ॥

মুচুকুন্দক শ্ৰীকৃষ্ণই বৰ দিব খোজাত মুচুকুন্দই কলে,—

নবাঞ্ছোহো আন মাধৱ তোমাৰ
চৰণ-সেৱাত পৰে।
মুকুতিদাতাক আৰাধি খুজিবে
আন বৰ কোন নৰে ॥

ঈশ্বৰে কৈছে,—

মই হৰি চৰাচৰ।
কিন্তু—মই বশ্য ভকতৰ ॥

প্ৰকৃত ভকতে ঈশ্বৰ তেওঁৰ বশ্য বুলি কিন্তু কেতিয়াও গৰ্ব্ব নকৰে। গৰ্ব্ব মনত উদয় হলেই তেওঁৰ আগৰ পৰা ঈশ্বৰ গল। বৃন্দাবনত গোপী-সকলে কৃষ্ণৰ সঙ্গ আৰু সমাদৰ পাই যেতিয়া মনত গৰ্ব্ব অনুভৱ কৰিলে তেতিয়াই শ্ৰীকৃষ্ণ অন্তৰ্দ্ধান হল। গোপীসকলে—

কৃষ্ণত হন্তে মহামান পায়া।
বুলিল গৰ্ব্বে সব গোপীজায়া ॥
আমাৰ সম সুভাগিনী নাই।
ভৈলন্ত অধীন যাদৱ ৰায় ॥
জানিয়াৱ দৰ্প হৰিবে মনে।
(শ্ৰীকৃষ্ণ) ভৈলা অন্তৰ্দ্ধান তৈতে তেখনে ॥

ভক্তি-লাভ কৰিবৰ উপায় হৈছে,—সদায় ঈশ্বৰৰ নাম-গুণ শ্ৰৱণ-কীৰ্ত্তন কৰা। সাধুৰ সঙ্গ লোৱা।

লৈয়া উপদেশ মাধৱক আৰাধিব।
যতেক সুকৃতি মানে কৃষ্ণত অৰ্পিব ॥
কৃষ্ণ-কথা-শ্ৰৱণত শুদ্ধ হৈব মন।
সৰ্ব্বদাস কৰিবেক কৃষ্ণৰ কীৰ্ত্তন ॥
কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্ত ভূতত ॥
হেন জানি প্ৰাণাধিক কৰিব সৎকাৰ।
তেবেসে কৃষ্ণত ৰতি হৈবেক তোমাৰ ॥
হৰিৰ সেৱাত কিছু নাহিকে প্ৰয়াস।
আপুনি লৈবন্ত হৰি হৃদয়ত বাস ॥

ৰামকৃষ্ণ পৰমহংসদেৱে কৈছিল,—

ভক্তিলাভ কৰিবৰ হলে "ঈশ্বরের নাম-গুণ সর্ব্বদা করতে হয়। আর সৎসঙ্গ। সংসারের ভিতর ও বিষয় কাজের ভিতর রাত দিন থাকলে ঈশ্বরে মন হয়না। মাঝে মাঝে নির্জ্জনে গিয়ে তার চিন্তা করা বড় দরকার। প্রথম অবস্থায় নির্জ্জন না হলে ঈশ্বরে মন রাখা বড়ই কঠিন। যখন চারাগাছ থাকে, তখন তার চারিদিকে বেড়া দিতে হয়। বেড়া না দিলে ছাগল গরুতে খেয়ে ফেলে।"

সংসাৰত থাকিও ঈশ্বৰক পোৱা যায়, যদি মনেৰে তুমি সংসাৰত নিৰ্লিপ্ত হৈ থাকিব পাৰা। উদাহৰণ জনক ৰজা। এই বাবেই বশিষ্ঠই শ্ৰীৰামচন্দ্ৰক উপদেশ দিছিল :—

অন্তৰেকো বহিৰ্নানা অন্তৰ্ব্বোধো বহিৰ্জড়ঃ।
অন্তস্ত্যাগী বহিঃসঙ্গী লোকে বিচৰ ৰাঘৱ ॥
ইয়াৰ ভাঙনি মহাপুৰুষৰ ঘোষা :—

অন্তৰত এক ঈশ্বৰক দেখিয়োক নানা বাহিৰত
অন্তৰত বোধ বাহিৰত জড়প্ৰায়।
বুদ্ধিত সমস্ত ত্যজিয়োক বাহিৰত সঙ্গ দেখায়োক
এহিভাৱে ৰাম লোকত ফুৰা বেৰাই ॥

পৰমহংসদেৱে এই কথাকে কৈছে,—

"সব কাজ করবে, কিন্তু মন ঈশ্বরেতে রাখবে। স্ত্রী, পুত্র, বাপ, মা সকলকে নিয়ে থাকবে ও সেবা করবে। যেন কত আপনার লোক। কিন্তু মনে জানবে যে তারা তোমার কেউ নয়।"

বহুত ডেকাই ভাবে যে এতিয়া বিষয়-সুখৰ সোৱাদ লৈ পিছত বুঢ়া বা আদহীয়া হলে ঈশ্বৰ-চিন্তা কৰা যাব। এইটো বৰ ভুল কথা। বিষয়-সুখ কৰি তাত মজি তাৰ পিছত কাচিৎ কোনোবাহে ঈশ্বৰত মন দিয়ে। বিষয়-সুখ কৰোতে কৰোঁতে তাত আসক্তি ক্ৰমাৎ বাঢ়ি যায় ; শেহত তাৰপৰা এৰাই আহিবই নোৱাৰা অৱস্থা হয়।

ইন্দ্ৰিয়ৰ সুখে যাৰ সদা আসকতি।
কদাচিতো কৃষ্ণত নোপজে তাৰ মতি ॥
(ৰত্নাৱলী)

গীতাত সেইদেখি ভগৱন্তই কৈছে,—

ধ্যায়তো বিষয়ান্ পুংসঃ সঙ্গস্তেষূপজায়তে—ইত্যাদি
সেইদেখি নীতিশাস্ত্ৰত কৈছে "গৃহীত ইৱ কেশেষু মৃত্যুনা ধৰ্ম্মমাচৰেৎ।"

ল'ৰাই হওক বা বুঢ়াই হওক, মৃত্যুৱে সময় আৰু অৱস্থালৈ অপেক্ষা নকৰে।

প্ৰহলাদে— পঞ্চ বৰিষতে মহামতি।
ক্ৰীড়া এড়ি কৰিলন্ত ভকতি।

আৰু সহপাঠী দৈত্য শিশুসকলক উপদেশ দিছিল,—

দয়ায়ে প্ৰহলাদে দেন্ত হিত উপদেশ।
শুনিয়োক বাণী দৈত্য দানৱ নিঃশেষ ॥
অসাৰ সংসাৰ নাই ইহাত বিশ্বাস।
জানি হৰি-ভকতিক কৰিয়ো অভ্যাস ॥
(কীৰ্ত্তন)

উদ্ধৱে— পঞ্চ বৰিষতে যিটো ভোজনক এৰি।
শিশুলীলা কৰিয়া পূজন্ত মাত্ৰ হৰি ॥
জানিয়া বিষয়-সুখ যত্নে দূৰ কৰি।
কুমাৰ কালৰেপৰা ভজিয়োক হৰি ॥
(ৰত্নাৱলী)

ৰামকৃষ্ণ পৰমহংসদেৱে কৈছিল, "মনে নির্জ্জনে ঈশ্বরের চিন্তা করলে জ্ঞান বৈরাগ্য ভক্তি লাভ হয়। কিন্তু সংসারে ফেলে রাখলে ঐ মন নীচ হয়ে যায়। সংসার জল, আর মনটি যেন দুধ। যদি জলে ফেলে রাখ, তাহলে দুধে জলে মিশে এক হয়ে যায়। দুধকে দই পেতে মাখন তুলে যদি জলে রাখা যায় তাহলে ভাসে। সেই মাখন সংসার-জলে ফেলে রাখলেও মিশবে না, ভেসে থাকবে।"

নামধৰ্ম্ম-তত্ত্ব

এক

শঙ্কৰদেৱৰ ধৰ্ম্ম বিশ্বজনীন, উদাৰ আৰু মহান্ ধৰ্ম্ম। এই ধৰ্ম্ম পুৰণি, প্ৰাচীন, চিৰন্তন, সনাতন যদিও সি শঙ্কৰদেৱৰ দ্বাৰাই জুৰজিৰ্ণ জাতিৰ লোকৰ

ভিতৰত নতুনকৈ প্ৰকাশিত আৰু প্ৰচাৰিত। আৰ্য্য ঋষিসকলৰ হৃদয়ত যেতিয়া সৰ্ব্বময় সৰ্ব্বকৰ্ত্তা ঈশ্বৰৰ অসীম মহিমাৰ প্ৰথম উন্মেষ হল আৰু সেই মহিমাৰে অন্তৰ-বাহিৰ মণ্ডিত হৈ যেতিয়া তেওঁলোকে তপোবনত সাম গান কৰে, যেতিয়া তেওঁলোকে ঈশ্বৰক জানিবৰ নিমিত্তে অনেক কাল সমাধিত বহি থাকোঁতে তেওঁলোকৰ এজনে ঈশ্বৰক হঠাৎ চকামকাকৈ দেখিবলৈ পাই বিতিগাই উঠিছিল—

শৃণ্বন্তু বিশ্বেহমৃতস্য পুত্ৰা আ যে ধামানি দিব্যানি তস্থু: ।
বেদাহমেতং পুৰুষং মহান্তমাদিত্যবৰ্ণং তমস: পৰস্তাৎ ॥

যেতিয়া আন এজনে কলে, মযো জানিছো "বসো বৈ স:," আৰু যেতিয়া আন এজনে কলে, "মই ঈশ্বৰক জানিছো বুলিও কব নোৱাৰোঁ, নাই জনা বুলিও কব নোৱাৰোঁ," সেই জ্ঞান ভালকৈ জানিব নোৱৰা, মনে সম্পূৰ্ণকৈ বুজিব নোৱৰা, সোঁৱৰণীয়ে ভালকৈ খোঁপিয়াই ধৰিব নোৱৰা কালতে এই ধৰ্ম্মৰ জনম। এই ধৰ্ম্মৰ বীজ পুৰাকালৰ বেদৰ ঋষিসকলৰ হৃদয়ত পৰমপুৰুষ পৰমাত্মাৰ দ্বাৰায় ৰোপিত আৰু পৰমপুৰুষৰ অপাৰ করুণা-বাৰি সিঞ্চিত হৈ অঙ্কুৰিত আৰু পৰিবৰ্দ্ধিত। এই ধৰ্ম্ম বেদৰ গুপুত বিত্ত, বেদ মহোদধিৰ হৃদয়-কন্দৰত আন আন অনেক বস্তু লাগতিয়াল, অসাৰ, অসাৰ্থক বস্তু অথচ আচল বস্তু বুলি থকা বিত্তবে সৈতে এই মহাবিত্ত মিহলি হৈ আছিল। বেদৰ ঋষিসকলে বেদৰ গৰ্ভত এই বিত্ত দেখি চিনি নিজৰ ভোগলৈ ৰাখিছিল আৰু উপযুক্ত প্ৰিয় শিষ্যক দিছিল; কিন্তু নানা কাৰণত, যাইকৈ তাৰ মোল বুজিব নোৱৰা লোকৰ হাতত তাৰ সম্ভৱত: আলৈ-আথানি হোৱাৰ ভয়ত তাক অনেক অসাৰ বস্তুৰ মাজত মিহলি কৰি থৈ দিছিল। ইয়াৰ পিছত দৈবকীহৃদয়ানন্দ শ্ৰীকৃষ্ণৰ মুখনি:সৃত গীতাই, শুকপ্ৰোক্ত পুৰাণ-সূৰ্য্য শ্ৰীমদ্ভাগৱতে, পদ্মপুৰাণৰ স্বৰ্গখণ্ডই, বৃহন্নাৰদীয় পুৰাণ আদি সাত্ত্বিক গ্ৰন্থই এই বস্তু উদ্ধাৰ কৰি ভক্তৰ হৃদয়-সফুৰাত স্থাপন কৰে আৰু আমাৰ কৃপালু শঙ্কৰদেৱে "ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল", "দাতাত চোৰতো সমতুল" হৈ সকলোকে তাক দান কৰি দিলে।

শঙ্কৰদেৱে ক্ষুদ্ৰ সম্প্ৰদায় গঠন কৰা দূৰত থাকক, ক্ষুদ্ৰ ক্ষুদ্ৰ অনেক সম্প্ৰদায়ৰ ভিতৰুৱা সকলোকে তেওঁলোকৰ খোঁটালীবোৰৰ বেৰবোৰ ভাঙি ওলাই আহি একে ঠাইতে গোট খাই একেখোটলীয়া ডাঙৰ নামঘৰৰ তলত বহি তেওঁ বিলাই দিয়া এই মহাবস্তুৰ ভাগ লবলৈ উচ্চস্বৰে মাতিছিল। তেওঁ বাইজক মাতিছিল,—"হেৰা বামুণ, হেৰা শূদিৰ, হেৰা কোচ, হেৰা কেওঁট, হেৰা কলিতা, হেৰা অসম, হেৰা যৱন, হেৰা গাৰো, হেৰা মিকিৰ, হেৰা চণ্ডাল, আহা, তোমালোকে হৰিত শৰণ লৈ তৰাহঁক, এই কাৰণে তোমালোকৰ সকলোৰে সমান অধিকাৰ; হৰি তোমালোকৰ সকলোৰে পিতা, পিতাৰ চকুত তোমালোক সমান; তোমালোকে নিজে ভঙা-পতা ডাঙৰ সৰু জাতবোৰ তোমালোকৰ নিজৰ নিমিত্তেহে, হৰিক পাবৰ নিমিত্তে নহয়; এতেকে সেইবোৰৰ নিমিত্তে অসাৰ্থক খকাখুন্দা কৰি থাকি আচল বস্তু পাহৰি নাথাকিবা।"

শঙ্কৰদেৱে বেদাভিমানীসকলক কৈছে,—"তোমালোকে বেদৰ আচল গূঢ় মৰ্ম্ম নুবুজি তাত বিক্ষিপ্ত বস্তুৰাজি পৰিত্যাগ কৰি, তাৰ পুষ্পিত বাক্যসমূহকে সাৰোগত কৰি লৈ খালি কৰ্ম্ম কৰি মৰিছা। তোমালোকে বেদৰ গূঢ় অভিপ্ৰায় নুবুজি মাত্ৰ কৰ্ম্ম কৰিয়েই মৰা অথচ বেদৰ অভিপ্ৰায় মতে কৰ্ম্মকো কৰিব নাজানা।"

নুবুজে বেদ অভিপ্ৰায় গূঢ়।
কৰ্ম্মক কৰিবে নজানে মূঢ় ॥

কৰ্ম্ম চিত্তশুদ্ধিৰ নিমিত্তেহে আৱশ্যক, ঈশ্বৰ প্ৰাপ্তিৰ নিমিত্তে নহয়। কৰ্ম্ম কৰিলে তাৰ ফল অৱশ্যে পোৱা যায় কিন্তু সেই ফল স্বৰ্গসুখ আদি বিনাশী, অবিনাশী নহয়, কৰ্ম্মফল ভোগৰ অন্তত আকৌ জন্ম, পুনৰাগমন। "গতাগতপ্ৰসক্তানাং কৰ্ম্মিণাং কৰ্ম্মচাৰিণাম্।" কিন্তু বেদবিহিত কৰ্ম্ম কৰিবলৈ মই হাক দিয়া নাই, কিন্তু সেই কাম সকামভাৱে নকৰি নিষ্কামভাৱে কৰিবা আৰু সকলো কৰ্ম্ম আৰু কৰ্ম্মফল ঈশ্বৰত সমৰ্পণ কৰি থবা, তেহে সেই কৰ্ম্মৰ দ্বাৰায় তোমাৰ চিত্তশুদ্ধি, আৰু চিত্তশুদ্ধিদ্বাৰাই জ্ঞান আৰু শেহত মুক্তি লাভ হব। শুনা, একাদশ স্কন্ধত কৈছে—

নিষ্কামে কৰিবা সকল কৰ্ম্ম।
বিষ্ণুত অপিব সি সব ধৰ্ম্ম ॥
শ্ৰৱণ কীৰ্ত্তন তাহাৰ ফল।

কিন্তু তাকে নকৰি ৰজোগুণৰ আশ্ৰয় লৈ জীৱহিংসা আদি কৰ্ম্ম কৰিলে—

ৰজোগুণে কৰে কৰ্ম্মত প্ৰীতি।
কৰ্ম্মীৰ দম্ভ ভাৱ বাঢ়ে নিতি ॥
কৰে হিংসা ধৰ্ম্ম নোপজে বোধ।
নুগুচয় যেন সৰ্পৰ ক্ৰোধ ॥ (কীৰ্ত্তন)

কৰ্ম্ম মানে ঈশ্বৰপ্ৰাপ্তিৰ আশা কৰি কৰা নিত্য-নৈমিত্তিক ধৰ্ম্মকাৰ্য্যৰ কথাহে কোৱা হৈছে, জীৱনযাত্ৰা নিৰ্ব্বাহৰ নিমিত্তে কৰিবলগীয়া কৰ্ম্মৰ কথা কোৱা নাই। বেদেও তোমাক নিকৰ্ম্মা হবলৈ কোৱা নাই, বেদান্তয়ো কোৱা নাই, বেদান্তৰ সাৰ গীতাইও কোৱা নাই, মইও নকওঁ। গৃহত থাকি জীৱনৰ

সাৰতীৰ্থ কৰ্ম্ম কাৰ, জলত থাকিও পদুমৰ পাত নিতিতি থকাৰ দৰে কৰ্ম্মত নিলিপ্ত হৈ থাকি সেই কৰ্ম্ম আৰু কৰ্ম্মফলক ঈশ্বৰত সমৰ্পন কৰি "সদায়ে ডাকি বোলা হৰি হৰি"। গীতাই দগাই দগাই কৈছে, কৰ্ম্ম কৰা, তোমাৰ যথাসাধ্য কৰ্ম্ম কৰা, কিন্তু নিষ্কাম হৈ কৰি তাক তাৰ ফলেৰে সৈতে ঈশ্বৰৰ চৰণত সমৰ্পণ কৰিবা, তেহে তোমাৰ উদ্ধাৰ হব, নতুবা তুমি তোমাৰ কৰ্ম্মৰে সৈতেই বুৰি মৰিবা। বেদ মলজিষ, সাত্ত্বিকভাৱে কৰ্ম্ম কৰিলে চিত্তশুদ্ধি হব, চিত্তশুদ্ধি হলেই নিৰ্ম্মল দৰ্পণত তোমাৰ মুখৰ প্ৰতিবিম্ব দেখিবলৈ পোৱাৰ দৰে তোমাৰ নিৰ্ম্মল হৃদয়ত পৰমাত্মাৰ প্ৰতিবিম্ব দেখিবলৈ পাবা, পালেই তোমাৰ কাম সিজিল; তেতিয়া সকলো কৰ্ম্ম পৰিত্যাগ কৰি আচল কাৰ্য্য ঈশ্বৰত একশৰণ হব পাৰিবা। কিন্তু এটি কথা, ঈশ্বৰত প্ৰথমৰেপৰা একশৰণ হোৱা ভক্তৰ পক্ষে মুক্তিৰ নিমিত্তে pre'imin-a y কৰ্ম্ম কৰিবৰ একো আৱশ্যক নাই, কাৰণ তেওঁ যদিও সংসাৰত ঈশ্বৰনিৰ্দ্দিষ্ট সকলো কৰ্ম্মকে কৰি যায়, তথাপি তেওঁ ঈশ্বৰত একশৰণীয়া হোৱা দিনৰেপৰা, নিজৰ শৰীৰ পুত্ৰ ভাৰ্য্যা বিত্তত মমতাশূন্য হৈ অৱিদ্যাৰ হস্তবিমুক্ত হয়। কৰ্ম্ম বিষ্টোতা বেদৰ নিজৰো এই অভিপ্ৰায়েইহে, আৰু বেদৰ সেই নিগূঢ় ভাব বুজোঁতাই সেইদেখি আন ধৰ্ম্ম-কৰ্ম্মৰ ওপৰত হৰিনামক বহুবায়।

সেহিসে কুলীন বেদক বুজে।
যাহাৰ মুখে হৰিনাম সিজে॥
সকল ধৰ্ম্মত কৰি বিশিষ্ট।
হৰি কীৰ্ত্তনেসে ধৰ্ম্ম গৰিষ্ঠ॥
অনাদিৰ আন ধৰ্ম্ম সম্প্ৰতি।
দিওঁ উপদেশ হৰি ভকতি॥ (কীৰ্ত্তন)

নাৰদে তিনি কটপা দি তাকেহে কৈছিল—

হৰি নামে নামে নামে নিশ্চয়।
মোহোৰ জীবন নাৰদে কয়॥
কলিৰ কালে আৰ আত পৰ।
নাই নাই নাই গতি লোকৰ॥
নাৰদে দিলন্ত তিনি কটপা।
আৰু নামানিবে কোন নো লপা॥
নাৰদৰ বাণী শিলৰ ৰেখা।
বৃহত নাৰদী বিচাৰি দেখা॥ (কীৰ্ত্তন)

প্ৰথম স্কন্ধ ভাগৱতত নাৰদে ব্যাসক উপদেশ দিওঁতে কৈছে যে ব্ৰহ্মাই চাৰিখন বেদক তিনিবাৰ ভালকৈ বিচাৰি চাই তাত হৰি-কীৰ্ত্তনকহে সাৰ বুলি থিৰ কৰাটো পালে;—

চাৰিও বেদক ব্ৰহ্মায়ে আনি।
বিচাৰিলা তিনিবাৰ প্ৰণাৰি॥

এহিমানে মাত্ৰ কৰিলা গান।
হৰি কীৰ্ত্তনেসে তৰে স গান॥

আৰু চোৱাচোন বেদবিহিত তন্ত্ৰমন্ত্ৰবিহিত যজ্ঞ, হোম আদি কৰ্ম্ম কৰোঁতাসকলৰ কৰ্ম্মতো অনেক ছিদ্ৰ থাকি যায় তাৰ অঙ্গ পূৰ্ণ নহয়, সেইদেখি সেইটো পূৰি তাৰ অন্তত হৰিনাম স্মৰণ কৰিবৰ ব্যৱস্থা ঋষিসকলে দিছে—

তন্ত্ৰ মন্ত্ৰ আদো দ্ৰব্য অনেক।
দেশ কাল পাত্ৰ ছিদ্ৰ যতেক॥
পূৰ্ণ নুহি যত যজ্ঞৰ অংগ।
হৰিনামে কৰে সবে সুসাঙ্গ॥

ভাগৱতৰ অষ্টম স্কন্ধত শুক্ৰ ঋষিয়ে এই কথা কৈছে। এই ব্যৱস্থা মতেই সকলো যাগযজ্ঞৰ অধিপতি যজ্ঞেশ্বৰ হৰিৰ নাম যাগ-যজ্ঞৰ অন্তত সুমৰণ হৈ আহিব লাগিছে। হৰিনামৰ এনে মহিমা জানি তাক অপ্ৰয়াসে সবলোৱে লৈ তৰি যাব বুলি পূৰ্ব্বত বেদে তাক হৃদয়ত ধাৰণা কৰি থন্য হৈও, দেৱ, ভূদেৱসকলৰ পৰামৰ্শমতেই হওক বা আন কেইবাটাও কাৰণতে হওক, তাক দুৰ্লভ কৰি আন পুষ্পিত অসাৰ বা অল্পসাৰ পন্থাৰ সগত লুকাই থৈছিল—

নামৰ মহিমা জানি সমুলি।
জগতেৰে মোক্ষ হইবেক বুলি॥
পূৰ্ব্বত আক গোপ্য কৰি থৈল।

কলিযাযাৰ অধিকাৰী এক ঈশ্বৰৰ নাম আৰু সেৱাইহে যে সাৰ পদাৰ্থ এই কথা বেদৰ ঋষিসকলে যেনেকৈ জানিছিল, জগতৰ আন আন ডাঙৰ ধৰ্ম্ম-পন্থাৰ জ্ঞানীসকলেও তেনেকৈ অতীত কালৰেপৰা জানিছিল। কিন্তু নানা কাৰণত আমাৰ বেদৰ ঋষিসকলৰ দৰেই তেওঁলোকেও তাক গুপ্ত কৰি ৰাখিছিল।

আমাৰো বেদ উপনিষদ বেদান্ত আদি শাস্ত্ৰত বিক্ষিপ্ত আৰু গুপ্ত হৈ ইমান যুগ থকা এক অদ্বিতীয় ঈশ্বৰৰ নাম আৰু উপাসনা এই যুগত, এনে গুপ্ত ধন উলিয়াই সকলোকে দিবলৈ পৰিছিল আমাৰ শঙ্কৰদেৱৰ গাত ভাৰ আৰু তেওঁ সেই কাৰ্য্য এনে সুন্দৰকৈ কৰিলে যে তৃতীয় স্কন্ধ ভাগৱতৰ পদকৰোঁতা গোপালচৰণ দ্বিজে কৰৰ নিচিনা আমি অসমীয়াই—

কোটি কোটি কল্প যদি উপকাৰ কৰো আতি
তভো গুণ শুজা নযায় তান।

আমাৰ মানুহে সাধাৰণ সাপৰ মন্ত্ৰ বা সুবৰ বিষৰ মন্ত্ৰ অথবা আয়ুৰ্বিক দৰৱ এটা জানিলে, তাকে লোকক নিশিকায়, অনেক সময়ত সেই মন্ত্ৰ সেই দৰৱ

সেই লোকৰ পেটতে থাকি তাৰে সৈতে মৰি যায়, তথাপি তাক কাকো, অনেক সময়ত বাপেকে পুতেকোকো শিকাই নাযায়; এনে স্থলত ভৱসংসাৰ তৰিবৰ উপায়—

হৰি ৰাম হৰি ৰাম এ মূল মন্ত্ৰ।
কলিত নাহি তপ যজ্ঞ যন্ত্ৰ ॥

এই মহামন্ত্ৰ দয়ালু শঙ্কৰদেৱে বক্তৃতা উপদেশ তৰ্ক-যুক্তিৰে, খোষা গীত-ভাটিমাৰে, ভাওনাৰে, খোল-মৃদঙ্গেৰে, কীৰ্ত্তনৰ ভোৰ-তালেৰে গাই সকলো লোকৰ মনমোহা কৰি শুনাই সকলোকে শিকাই দি গৈছে; এনে উদাৰ কৃপালু মহাপুৰুষৰ ধৰ্ম্ম সাম্প্ৰদায়িক ধৰ্ম্ম নে?

লোকক কৰ্ম্ম কৰি স্বৰ্গসুখ লভিবলৈ দিয়া বেদে নিজে ঈশ্বৰক স্তুতি কৰি কৈছে, এবাৰ শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধৰ বেদস্তুতি পঢ়ি চোৱা।

জগত সংহৰি শুতি আছা নাৰায়ণ।
প্ৰথম নিশ্বাসে ব্যক্ত ভৈলা বেদগণ ॥
জগাইল বিষ্ণুক স্তুতি কৰি ভক্তিভাবে।
যেন নটভাটে চক্ৰবৰ্ত্তীক জগাৱে॥
তুমি সি পৰমতত্ত্ব জানি জ্ঞানীগণে।
ছাড়ে পাপ তযুগুণ শ্ৰৱণ-কীৰ্ত্তনে॥
মনুষ্য শৰীৰ পায়া যিটো নৰগণ।
নকৰে তোমাৰ যিটো শ্ৰৱণ-কীৰ্ত্তন ॥
বিফলে জনম গৈল ভৈল সৰ্ব্বনাশ।
জীৱন্তে মৰা সিটো ভাখিৰ নিশ্বাস॥
জ্ঞান অভ্যাসক কহে নেদেখি বিশেষ।
শ্ৰৱণ-কীৰ্ত্তনে তৰে সংসাৰৰ ক্লেশ ॥

মিছা তৰ্কবাদে ভৈল অন্ধকাৰ
তাতে ভ্ৰমো মন্দমতি।
তযু জ্ঞানপন্থ খুজিয়া নাপাওঁ
কৰা হৰি মোৰ গতি ॥

যত তপ আছে সমস্তে কৰোক
পড়োক পৰ্ব্বতে উঠি।
সমস্তে তীৰ্থত স্নানিয়া ফুৰোক
বেদক পঢ়োক তুষ্টি ॥

যত যজ্ঞ আছে সমস্তে যজোক
কৰোক যোগ অভ্যাস।
হৰিৰ কীৰ্ত্তন নকৰি তথাপি
নেড়ায় মৃত্যুৰ ত্ৰাস॥

অনন্ত জগতখান তোমাত উত্তৰ ভৈল
সত্ত হেন প্ৰকাশে সদায়।
কৰ্ম্মজড় মনুষ্যৰ মন মগ্ন ভৈল তাতে
বেদৰ নুবুজে অভিপ্ৰায় ॥

তোমাৰ পৰম জ্ঞান মাধৱ দিয়োক মোক
যি অখণ্ড সুখ দুখহীন।
নুহি নাৰায়ণ দিয়া শ্ৰৱণ-কীৰ্ত্তন-ভক্তি
নোহো যেন বেদৰ অধীন॥
ব্ৰহ্মায়ো নপান্ত অন্ত তোমাক নজানে বেদে
আপুনিও নাজানা সমূলি।
এতেকে কেৱল আমি তোমাৰ চৰণে স্বামী
ভজিলোহোঁ জয় জয় বুলি॥
চাৰি বেদ অষ্টাদশ পুৰাণ যতেক শাস্ত্ৰ
পৰম বেদান্ত ভাগৱত।
সনক সনন্দ মুনি যোগ জ্ঞান বিচাৰিয়া
উদ্ধাৰিলা তাৰ সাৰ তত্ব॥
আগম পুৰাণ যত বেদান্তৰ তাৎপৰ্য্য
জানি কৰা ভকতিক সাৰ।
শ্ৰৱণ কীৰ্ত্তন বিনা আন পুণ্যে নপায় জানা
ইটো ঘোৰ সংসাৰৰ পাৰ॥
(কীৰ্ত্তন)

বেদ-বেদান্তাদি শাস্ত্ৰৰ প্ৰমাণৰূপে তেওঁলোকৰ নিমিত্তে আমি ওপৰৰ কথাখিনি কলোঁ। যিসকলৰ মনত শাস্ত্ৰৰ প্ৰমাণ বলৱৎ নহয়, সেইসকলক চমুকৈ দুআষাৰমান ইয়াকে কওঁ যে ঈশ্বৰ অনন্ত, অখণ্ড, অচিন্ত্য, অজ্ঞেয়; তেওঁক জানিবৰ নিমিত্তে জ্ঞানৰ পিছ ধৰি তুমি কি কৰিবা? তুমি সাগৰত কি কাঠী-জাল বাবলৈ গৈছা? তোমাৰ নিচিনা ক্ষুদ্ৰাতিক্ষুদ্ৰ প্ৰাণী সেই অনন্ত মহাজ্ঞানৰ কণা এটিকে সৰ্ব্বস্ব কৰি লৈ চকু মেলি আছা, তেনে তুমি যিমানকে তোমাৰ জ্ঞানৰ উৎকৰ্ষ সাধন কৰা, তেওঁক কি জানিবা? তোমাৰ ভৰিৰ গচকৰ তলত পৰি থকা এজোপা দুবৰি বনৰ পাত এটি কেনেকৈ হল তুমি তোমাৰ আজন্মকাল উপাৰ্জ্জন কৰা জ্ঞানেৰে কব নোৱাৰা বা তেনে এটা বনপাত সৃজিব নোৱাৰা। এই ক্ষুদ্ৰ পৃথিৱীত হোৱা এটা ধুমুহা বতাহ বা এটা ভুঁইকঁপে তোমাৰ অস্তিত্ব এক মুহূৰ্ত্ততে চিৰকাললৈ বিলুপ্ত কৰে। সূৰ্য্যমণ্ডলৰে সৈতে গঠিত হোৱা এনে কোটি কোটি ব্ৰহ্মাণ্ড যাৰ লোমকূপত—

গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ ৰাম মুৰাৰি,
অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।

এনে কোটি কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰীৰ বিষয়ে জানিবলৈ জ্ঞানচৰ্চ্চা কৰি তব পোৱা তোমাৰ ক্ষমতা কি জনা আছে। এতেকে তুমি জ্ঞানৰ মিছা অভিমান কৰি গপ মাৰি নাথাকিবা আৰু তোমাৰ জ্ঞানৰ বহিৰ্ভূত অখণ্ড অসীম জ্ঞানময় ঈশ্বৰকো তোমাৰ জ্ঞানৰ টুঁহাচোঁত সুমাবলৈ বৃথা চেষ্টা কৰি থাকি নমৰিবা। তুমি ঈশ্বৰৰ অংশ সন্তান; গোবিন্দ, মাধৱ, কৃষ্ণ, ৰাম নামধাৰী ঈশ্বৰ তোমাৰ পিতা, এই যৎকিঞ্চিৎ অনুভূতি জ্ঞানেই তোমাৰ পক্ষে যথেষ্ট

আৰু বেটিকৈ ধুমপান অপায়ক। এতেকে হে মনুষ্য, হে মানিচাহি, তুমি জ্ঞান জ্ঞান নকৰি, নিজক ঈশ্বৰৰ পুত্ৰ বুলি (বৰং দাস বুলিয়েই ভাল, কাৰণ পুত্ৰ বুলিলে মনলৈ অলপ অহঙ্কাৰ আহিব পাৰে,—তোমাৰ মোৰ অধম মনতো,) তেওঁৰ চৰণত কৃতজ্ঞ হৈ ভক্তি কৰা, নিৰ্ত্ত তেওঁ তোমাক কৃপা কৰি দিয়া তেওঁৰ ভুবনমঙ্গল নাম শ্ৰৱণ-কীৰ্ত্তন কৰা, তোমাৰ মুক্তি হ'ব, তোমাৰ জীৱন ধন্য হ'ব। এই ধৰ্ম্ম আৰু উপদেশদাতা তোমাৰ দেশৰ তোমাৰ নিজৰ শ্ৰীমন্ত শঙ্কৰ আৰু গ্ৰহীতা তুমি।

তুমি ঈশ্বৰক কি দি পূজা কৰিবা? সকলো তেওঁৰে আৰু তুমি তেওঁৰ কি পূজাৰ মন্ত্ৰ জানা? "এতাৱত মূৰ্ত্তিশূন্য কেনমতে পূজিবাহা," এতেকে "নাম বুলি শুদ্ধ কৰা মন।" আমাৰ কৃপালু শঙ্কৰদেৱে তোমাক মাতিছে, তেওঁৰে সৈতে একে ঠাইতে বহি সাধুসঙ্গত সৎ উপদেশ শুনি মনৰ বান্ধোন বনাই, ঈশ্বৰৰ ৰাম, কৃষ্ণ, হৰি, মাধৱ, গোবিন্দ, বামন নাম লৈ, সেই নামৰ মহিমা অন্তৰত অনুভৱ কৰি, ঈশ্বৰক স্তুতি-নতি কৰি আমি ধন্য হওঁহক। তোমাৰ হৃদয়ত তেতিয়া উদয়াস্ত-বিৰহিত চৈতন্য-আদিত্য প্ৰকাশ হ'ব।

চৈতন্য ঈশ্বৰ আদিত্য যাহাৰ হিয়াত ভৈল প্ৰকাশ।
কালনেৰ প্ৰায় অবিদ্যা আন্ধাৰ তাহাৰ হৰে বিনাশ॥
চৈতন্য আদিত্য হৃদয় আকাশে সৰ্ব্বদায় প্ৰকাশয়।
উদয়াস্ত নাহি সন্ধ্যা উপাসা কৰিবো কোন সময়॥

চোৱা, জগতৰ সকলো ডাঙৰ ডাঙৰ ধৰ্ম্মতো ঈশ্বৰৰ নাম লোৱাৰ বাহিৰে আন একো উপায় বিহা নাই। কি খৃষ্টান ধৰ্ম্ম, কি মছলেম ধৰ্ম্ম, সকলোৰে এই এক সাৰ উপদেশ। অৱশ্যে তুমি কব পাৰা যে মই ৰাম কৃষ্ণ বুলিবৰ সকাম কি? এনেই ঈশ্বৰ বুলিলেই হল। আমিও কওঁ যে নহলে যে এনে নহয়। কিন্তু এক ঈশ্বৰৰ সহস্ৰ নামেৰে সহস্ৰ প্ৰকাৰ গুণ বহলকৈ মনত ভাবিব পৰাটোত নিশ্চয় উৎকৰ্ষ আছে। তোমাৰ পিতৃক পিতাদেউ বুলি এটা মাতেৰে মাতি থাকি তুমি যিমান সন্তুষ্ট নোহোৱা, যিমান তেওঁৰ নানা গুণ সুঁৱৰি জনক, তাত, বোপাই ইত্যাদি নামেৰে মাতি পোৱা। নামৰ সন্তোষ ফল তোমাৰ হিয়াৰ বস্তুহে, ঈশ্বৰৰ তাত একো লাভ-লোকচান নাই। গৰজ তোমাৰহে, ঈশ্বৰৰ নহয়। ৰাম, কৃষ্ণ, হৰি বোলোঁতে তুমি অকল উচ্চাৰিত শব্দতে সন্তুষ্ট নহৈ তাৰ অন্তৰ অৱগাহ কৰি যাবা আৰু পাবা, তেহে ফল পূৰ্ণ। ভকতে সেইদৰে কৰিহে নাম লয়, সেইদেখি তেওঁ তাত অমৃত পায়, শান্তি পায়; তুমি সেইদৰে নকৰা বা তোমাৰ কৰিবৰ অভ্যাস নাই, সেইদেখি তুমি তাত মজিব পৰা নাই, পণ্ডিতে তাৰ পৰম সুখো পোৱা নাই। ভকতে কৃষ্ণ বোলোঁতে—

কৃষ্ ধাতুৰ শব্দ ইটো পৃথিৱীবাচক হৈ।
ণ আনন্দত প্ৰবৰ্ত্তয়।
দুইৰ এক পদ ভৈল পৰমব্ৰহ্ম-ৰূপ কৃষ্ণ
নাম সাৰ্থক মাত্ৰ কয়॥
ঈশ্বৰৰ পদাশ্ৰয় কৰান্ত জীৱৰ যত
বশতা ভক্তি নিৰন্তৰ।
এহি হেতু তেওঁ ভাল ঈশ্বৰৰ বুলি কৃষ্ণ
প্ৰসিদ্ধ অনুপ মনোহৰ॥
অনন্ত চৈতন্য আত্মা সদানন্দ ঈশ্বৰত
যোগীজনে সদাৰ ৰময়।
এহি হেতু ৰাম পদে পৰমব্ৰহ্ম স্বৰূপক
কহে ৰাম নামৰ অন্বয়॥

অৱশ্যে দশৰথৰ পুত্ৰ ৰাম, দেৱকীনন্দন কৃষ্ণকো শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱে আৰু তেওঁলোকৰ পূৰ্ব্ববৰ্ত্তী আৰু বৈষ্ণৱ ঈশ্বৰভক্তসকলে এই নামেৰে জানিছিল আৰু চিন্তিছিল। তেওঁলোকে অজ্ঞান আন্ধাৰত পৰি থকা জীৱক পথপ্ৰদৰ্শন আৰু কৰুণা কৰিবৰ নিমিত্তে পৃথিৱীত ঈশ্বৰৰ অৱতাৰ মানিছিল। ভালকৈ ভাবিলে, ভালকৈ বুজিলে—তথাপিও মানিবই লাগিব। আৰু নামানিবই বা কিয়? ঐশ্বৰিক গুণ আৰু কাৰ্য্যসম্পন্ন ৰাম কৃষ্ণ অৱতাৰেই বা নহব কিয়? সংসাৰত ইমানবোৰ জ্ঞানী আৰু প্ৰতাপী মানুহ হৈ গৈছে, কেইজন তেওঁলোকৰ নিচিনা হৈছে? এই কথাৰ কি কোনো mystery, গূঢ় সাৰতত্ত্ব নাই? ঈশ্বৰে মানুহক সৃজন কৰি জ্ঞান দিলে, সেই জ্ঞানেৰে সংসাৰত আগ বাঢ়ি ঈশ্বৰমুখী হবলৈ আদৰ্শ আগত ধৰি, উপদেশ দি, মানুহক ঈশ্বৰৰ ওচৰলৈ যাবলৈ বাট দেখুৱাবলৈ তেওঁ শ্ৰেষ্ঠ নৰৰূপে মানৱী কায়া নধৰিবৰে বা কাৰণ কি? নহলে তেনে দুৰূহ দুৰ্ল্লভ কাম কোনে কৰিব? ঈশ্বৰে তেওঁৰ সন্তানবোৰক পৃথিৱীত মনুষ্যজনম দি হেদাহি মেলি এৰিব বুলি বিশ্বাস কৰিব পাৰিনে? তেওঁ সন্তানেৰে সৈতে সময়ত একে ৰক্তমাংসৰ দেহ ধৰি আনন্দ দি, আনন্দ লভি জ্ঞান-ধৰ্ম্ম শিক্ষা দিয়াটো তেওঁৰ কৰ্ত্তব্য নহয় নে? নন্দনন্দন আৰু ৰঘুনন্দন যে ঈশ্বৰৰ অৱতাৰ, আত্মতত্ত্বদৰ্শী সাধু ভক্তই (sages) সেইটো জানিছিল, দেখিছিল, অনুভৱ কৰিছিল, তুমি আমি অবিশ্বাসী তাৰ্কিক মহাব্যাঘ্ৰ মহাব্যাঘ্ৰীয়ে নেদেখিব পাৰোঁ। কিন্তু সাধুৰ সঙ্গত আমাৰ জ্ঞান-চকু মুকলি হলে আমিও দেখিম, আমিও জানিম। কিন্তু অকল ক্ষুদ্ৰ জ্ঞানেৰে নহয়, হৃদয়ৰ ভক্তিৰেহে। ঈশ্বৰ অকল শুষ্ক জ্ঞান হোৱাহেঁতেন, মানুহবিলাকৰ স্বভাৱো অকল শুষ্ক জ্ঞানপ্ৰিয় হলহেঁতেন। কিন্তু তেনে নহয়; মানুহে জ্ঞানেৰে সৈতে প্ৰেম, ভক্তি,

আনন্দও ভাগ পায়। সেইদেখি নিশ্চয় ঈশ্বৰ যেনে জ্ঞানময়, তেনে প্ৰেমময়, তেনে আনন্দময়ো। সেই-দেখি ঈশ্বৰৰ বৈকুণ্ঠতো তেওঁক ভক্তই সেই গুণসম্পন্ন দেখে। সেইদেখি ঈশ্বৰ কৃষ্ণৰো আনন্দময় প্ৰেমময় ব্ৰজলীলা আৰু জ্ঞানময় গীতোপদেশ, আমি তেওঁৰ সন্তান পৃথিৱীবাসীয়ে নেদেখিম, নুশুনিম কিয়? সকল জ্ঞানে মস্তিষ্ক উজ্জ্বল কৰিলেও হৃদয়ত শান্তি নিদিয়ে, হৃদয়লৈ শান্তি আনে প্ৰেমে, ভক্তিয়ে আৰু আনন্দই। সেই বাবেহে জ্ঞানচৰ্চা কৰোঁতা ব্যাসৰ ভাগৱত ৰচনা, সেই বাবেহে জ্ঞানমুক্ত নাৰদ সনক সনন্দৰ, একান্ত ভক্তৰ সংগত হৰিগুণ শ্ৰৱণ কীৰ্ত্তনৰ স্পৃহা।

এতেকে হে জগতবাসী! হে ভাৰতবাসী! হে অসমবাসী! শঙ্কৰদেৱে দিয়া উপদেশমতে, হে খ্ৰীষ্টান! খ্ৰীষ্টই দিয়া উপদেশমতে, হে মুছলমান! মহম্মদে দিয়া উপদেশমতে, এক ঈশ্বৰত শৰণ লৈ ৰাম কৃষ্ণ হৰি বোলা, 'গড' বোলা, 'ফাদাৰ' অৰ্থাৎ পিতা বোলা, আৰু মহম্মদে দিয়া মতে 'আল্লাহো আকবৰ' বোলা, নিশ্চয় মুক্তি পাবা, ভক্তি পাবা, শান্তি পাবা। শঙ্কৰ-মাধৱৰ কৃষ্ণই সাংখ্যৰ প্ৰকৃতি-পুৰুষৰ নিয়ন্তা কাল-মায়াদিৰ অধিকাৰী পৰমপুৰুষ পৰমেশ্বৰ, আৰু খ্ৰীষ্টৰ God the Father আৰু মহম্মদৰ 'আল্লাহো আকবৰ।'

হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়ায়ে কল্পিত ॥

প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ ॥

দুই

মহাপুৰুষে ঘোষাত বান্ধিছে :—

কৃষ্ণ-সূৰ্য্য ভৈলন্ত উদিত।
নামধৰ্ম্ম কৰিলা বিদিত ॥

ভগৱন্তই গীতাৰ দশম অধ্যায়ত কৈছে—

মচ্চিত্তা মদ্গতপ্ৰাণা বোধয়ন্তঃ পৰস্পৰম্।
কথয়ন্তশ্চ মাং নিত্যং তুষ্যন্তি চ ৰমন্তি চ ॥

মোতেসে কেৱলে দিয়া চিত্ত, মোতেসে মাত্ৰ প্ৰাণ অৰ্পি নিত
অন্যোঅন্যে মিলি মোকেসে বোধ কৰায়ে।
মাত্ৰ কহে সৰ্ব্বক্ষণে মোক পৰম সন্তোষ লভি মনে
আনন্দ-সাগৰে মজি ৰহে প্ৰেমভাৱে। (ঘোষা)

অৰ্জ্জুনে কৈছে—

স্থানে হৃষিকেশ তৱ প্ৰকীৰ্ত্ত্যা
জগৎ প্ৰহৃষ্যত্যনুৰজ্যতে চ।
ৰক্ষাংসি ভীতানি দিশো দ্ৰৱন্তি
সৰ্ব্বে নমস্যন্তি চ সিদ্ধসংঘাঃ ॥ (গীতা)

কৃষ্ণক বোলন্ত ধনঞ্জয় তোমাৰ কীৰ্ত্তনে কৃপাময়
অতি অনুৰাগে জগতে কৰে হৰিষ।
তোমাৰ কীৰ্ত্তন অগনিৰ শিখায়ে দগধ হুয়া আতি
ৰাক্ষস পিশাচ পলাই যান দশ দিশ ॥
(ঘোষা)

ঈশ্বৰৰ নাম আৰু ঈশ্বৰ একে। আমাৰ ঘোষাত লিখিছে :—

আপন নামৰ সঙ্গ নছাৰন্ত হৰি।
যেই নাম সেই হৰি জানা নিষ্ঠ কৰি ॥

মাধৱৰ নাম বৎস-প্ৰায় ভৈল
ভক্তে তাক লৈয়া যান্ত।
বেদৰ ঈশ্বৰ হৰি ধেনু যেন
তাৰ পাছে পাছে যান্ত ॥

ধৰ্ম্ম মানে,—"ধাৰ্য্যতে অনেন ধৰতি লোকং ৰা।" অৰ্থাৎ যি সমস্ত চৰাচৰক ধাৰণ কৰি আছে সেয়ে ধৰ্ম্ম। হিন্দু ধৰ্ম্ম বুলি ধৰ্ম্মৰ কোনো এটা বিশেষ নাম হিন্দুৰ শাস্ত্ৰত নাই। পিছৰ কালত বৌদ্ধ আৰু মছলেম প্ৰভৃতি বেলেগ পন্থীসকলে হিন্দুৰ পৰা নিজক সুকীয়াকৈ বুজাবৰ নিমিত্তে প্ৰাচীন আৰ্য্যসকলৰ সন্তানবোৰক হিন্দু নাম দিলে। হিন্দু-ধৰ্ম্মৰ ভিতৰুৱা শাক্ত, শৈৱ, বৈষ্ণৱ সম্প্ৰদায়বোৰ সুকীয়া সুৰ মাথোন। সেইবোৰৰ ভিতৰতো ঐক্য আৰু সামঞ্জস্য আছে, দকৈ গমি চালেই দেখি। আন নেলাগে, আন আন ধৰ্ম্মাৱলম্বীৰে সৈতেও হিন্দুধৰ্ম্মৰ অন্তৰ্নিহিত সত্যৰ সূক্ষ্ম ঐক্য বিস্তৰ আছে। নামেই ব্ৰহ্ম, ব্ৰহ্মই নাম। দুয়ো অভেদ। এই ধাৰণা পৃথিৱীৰ সকলো কেইটা মুখ্য ধৰ্ম্মৰ ভিতৰত অনুপ্ৰৱিষ্ট। ভগৱন্তৰ কোনো নিৰ্দ্দিষ্ট নাম নাই। যি যি নামেৰে তেওঁক মাতে সেয়ে তেওঁৰ নাম। তেওঁক মাতে,— এইটোৱেই প্ৰধান কথা। মনে মুখে একে কৰি মাতিব লাগে।

মনে-মুখে একে কৰি সদা বোলে ৰাম।
জনম সাফল্য হয় সিজে মনস্কাম ॥

কৃষ্ণ, ৰাম, কালী, দুৰ্গা, খোদা, আল্লা, গড, যি কোনো নামৰ দ্বাৰায় যি কোনো জাতীয় মানুহে তেওঁক মাতে, প্ৰাণভৰি তেওঁত আত্মসমৰ্পণ কৰে, ওপৰে ওপৰে নহয়—তাৰেই মনস্কামনা সিদ্ধি হয়। "যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈব ভজাম্যহম্।"

ঈশ্বৰৰ মুখনিঃসৃত বাক্য। শুদ্ধ বা অশুদ্ধ যি যি নামেৰেই হওক, যদি ঈশ্বৰক মাতে আৰু তেওঁত শৰণাপন্ন হয়, তাতে তেওঁৰ কাৰ্য্য সিদ্ধি হয়। সেই নাম "দেহ, ধন, জন, অৰ্থলোভে পাষণ্ড বুদ্ধিয়ে চলে" নহয়। যি দেশৰ যি জাতৰে মানুহ হওক, সেই দেশৰে, ঈশ্বৰৰ গুণশীল মনত ধাৰণা কৰি যি নামেৰে তেওঁক উপাসনা কৰে, সেয়ে সেইজনৰ গতি সাধে। বাহ্য পূজাতকৈ মানসিক পূজাই শ্ৰেষ্ঠ। সেইদেখি ভগৱন্তই গীতাত কৈছে— "যজ্ঞানাং জপযজ্ঞোঽস্মি।" খৃষ্টানৰ Jehova Elohim (জেহোভা ইলোহিম) আৰু মুছলমানৰ "লাই ইলাহি ইলাল্লা, মহম্মদ ৰছুলল্লা।"— এই দুয়োযেই খৃষ্টান আৰু মুছলমানক তাৰিব। mother বুলিলে মাককে বুজায়, father বুলিলে বাপেককে বুজায়; mater বুলিলেও মাতৰ, pater বুলিলেও পিতাৰ; মা বুলিলেও মাক, পিতা বুলিলেও সেই একেজন বাপেক-মাকেই। প্ৰভেদ ভাষাত, ভাবত নহয়। অন্তৰ্য্যামী ভগৱন্তই অন্তৰৰ ভাবহে বিচাৰে, মুখৰ ভাষা নহয়। অৱশ্যে ভাব আৰু ভাষাৰ ঘনিষ্ঠ সম্পৰ্ক নিশ্চয় আছে; কিন্তু সিও যাৰ যি ভাষাৰ ভিতৰেদি সেই ভাব প্ৰকাশ পায়। শব্দ-ব্ৰহ্ম, নাদব্ৰহ্মৰ পূজা আচলতে এই কথাৰ বিৰোধী নহয়। ইংৰাজীত Epeolatry মানে শব্দ-ব্ৰহ্মৰ পূজা। বাইবেলত আছে— "In the begining was the Word, and the Word was with God, and the Word was God." ইয়াৰ দ্বাৰায় স্পষ্টকৈ দেখা যায় যে শব্দ-ব্ৰহ্ম, বা নাম-ব্ৰহ্ম আৰু তাৰ দ্বাৰায় ঈশ্বৰৰ উপাসনা সকলো মুখ্য ধৰ্ম্মতে আছে। নাম, সৰ্ব্বশক্তিমান সৰ্ব্বনিয়ন্তা সগুণ ঈশ্বৰক বুজাবৰ, ধাৰণা কৰিবৰ আৰু তেওঁক মাতিবৰ Code word মাথোন। হে জগদম্বা! তুমি মহিষাসুৰক মাৰিলা, অমুক পাপীৰ দুৰ্গতিনাশ কৰিলা, এইদৰে নকৈ, তেওঁক সংক্ষেপতে দুৰ্গা বুলিলেও ভক্তৰ মনলৈ জগদম্বাৰ সকলো গুণ আপোনা-আপুনি আহি পৰিব। হে ৰাম! হে কৃষ্ণ! বুলিলেই ভগৱন্তৰ ৰামাৱতাৰ, কৃষ্ণাৱতাৰৰ সকলো কথা সংক্ষেপতে ধাৰণা কৰি উচ্চাৰণ কৰা হল। ইংৰাজে Mother England বুলিলে, জাৰ্ম্মানে Father land বুলিলে, তেওঁ ভাৰতমাতা বুলিলে, মই আই অসম বুলিলো; এই সকলোবোৰ মুঠতে 'বন্দে মাতৰম্।' আৰু সকলো মাকৰ মাক বাপেকৰ বাপেকৰ পৰমেশ্বৰ পৰমব্ৰহ্মৰে মহিমা কীৰ্ত্তন। ঈশ্বৰৰ নাম-কীৰ্ত্তনেই ঈশ্বৰৰ বিশিষ্ট উপাসনা। অনন্ত ঈশ্বৰৰ অনন্ত মহিমাৰ পাৰ কোনে পাব? সেইদেখি হে হিন্দু, তুমি ৰাম বুলি শুদ্ধ কৰা মন। ঈশ্বৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ মনুষ্যৰ ধাৰণা আৰু জ্ঞানৰ আগত বিমান কেৱা ব্যক্ত, তাতকৈ অনন্ত অসীম গুণে অব্যক্ত।

বুদ্ধি অহঙ্কাৰে আবৰিলে মাতি
মহা মূঢ় ভৈলো স্বামী।
তোমাৰ অখণ্ড আনন্দ ৰূপক
কিমতে জানিবো আমি ॥

ব্ৰহ্মায়ো নপাস্ত অন্ত তাক নজানে বেদে। (কীৰ্ত্তন)

এতেকে কেৱলে আমি তোমাৰ চৰণে স্বামী
ভজিলোহো জয় জয় বুলি। (কীৰ্ত্তন)

অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাৰন্ত মূৰ্ত্তি শূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন ॥ (ঘোষা)

বাস্তৱিকতে কলিত ঈশ্বৰৰ নাম কীৰ্ত্তন কৰাৰ বাহিৰে তৰিবৰ আন গতি নাই। Mythological interpretation অৰ্থাৎ কোনো কোনো পুৰাণৰ ব্যাখ্যাতে সীমাবদ্ধ নকৰি ঈশ্বৰক হিন্দুৱে ৰাম বুলি কৃষ্ণ বুলি, দুৰ্গা বুলি, শিৱ বুলি মাতক; খৃষ্টানে God বোলক, মুছলমানে আল্লা বোলক, সেয়ে মূলীভূত পৰমেশ্বৰৰ ওচৰ পাবগৈ। নিজৰ নিজৰ ভাষাত ঈশ্বৰৰ যি যি নাম-কৰণ হৈছে, সেই ভাষা-ভাষীয়ে সেই সেই নামেৰে ঈশ্বৰক মাতি কৃতাৰ্থ হওক। মহাত্মা গান্ধীয়ে হাজাৰীবাগত ফুৰোঁতে তাৰ গাওঁ এখনৰ গাৱঁলীয়া মানুহক কথা আৱাৰচেৰেক কৈছিল। কথা কেইষাৰ এনে সুন্দৰ যে এইখিনিতে তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলো।

You must learn to take the name of Ram with full devotion and faith. When you study the Ramayan, you will learn from Tulsidas the divine power of that blessed name. You might ask me why I tell you to use the word Ram and not one of the many other names of the creator. True His names are as many as and more than the leaves on a tree and I might for instance ask you to use the word God. But what meaning, what association would it have for you here? In order to enable you to feel anything when repeating the word God, I should have to teach you some English. I should have to explain to you the foreign peoples' thoughts and associations. But in telling you to repeat the name of Ram, I am giving you a name worshipped, since countless generations, by the people of this land—a name familiar to the very animals and birds, the very trees and stones of Hindusthan through many thousand years. You know the story of Ahalya? No. I see you don't. But you will soon learn it when you study the Ramayan—learn how a

stone on the roadside sprung to life at the touch of Ram's foot as he passed by. You must repeat the blessed name of Ram with such sweetness and such devotion that birds will pause in their singing to listen to you—that the very trees will bend their leaves towards you, stirred by the divine melody of that Name.

And when you are able to do this, I tell you, I will come all the way on foot from Bombay as on a pilgrimage to hear you. In His sweet name lies a power which can cure all our ills.

দুওটি অক্ষৰ ৰাম নাৰ,
শ্ৰীৰাম নাম অমিয়া মাধুৰী নাৰে ।
অতি সুকোমল পৰম মঙ্গল
সবে মনোৰথ পূৰে ॥

বৈকুণ্ঠত ভ্ৰমৰবাজে গাৱে হৰি-গীত ।
যতেক পক্ষী দিয়ে তাতে চিত্ত ॥
নকৰে আহাৰ থাকে নিচুকে ।
কৃষ্ণৰ চৰিত্ৰ শুনে উৎসুকে ॥ (শঙ্কৰদেৱ)

"হিয়াৰ মাজে নামৰ ভাণ্ডাৰ মুখে ব্যক্ত হয়" এনে নাম-ধৰ্ম্ম, নাম-ব্ৰহ্ম হাতৰ কাষতে থাকোঁতেও কত অবুজ ভাৰতবাসীয়ে ধৰ্ম্মৰ নামত নিৰ্দ্দোষ পশুৰ ৰক্তেৰে ভাৰত আইৰ বুকু ৰাঙলী কৰিছে। তন্ত্ৰ-শাস্ত্ৰৰ গূঢ় মৰ্ম্ম বুজিব নোৱাৰি মদ্যপান আৰু ব্যভিচাৰক ধৰ্ম্মানুষ্ঠান বুলি চলাইছে। কোনো কোনোৱে হঠযোগৰ দ্বাৰায় উপাৰ্জ্জিত কিছুমান কৌশলকে ধৰ্ম্ম বুলি মানুহৰ মাজত চলাইছে। কামিনী-কাঞ্চনকে মুখ্য বস্তু স্বৰূপে অৱলম্বন কৰি কত ধৰ্ম্মৰ বাট সৃষ্টি হৈছে আৰু সেইবোৰ বাটকে ঈশ্বৰপ্ৰাপ্তিৰ উপায় বুলি কত লোকে আত্মৱঞ্চনা কৰি আপোনাৰ মাৰ আপুনি চিন্তিছে। কত ঠেঙৰ ব্যৱসায়ী মানুহে নিজক ভক্ত বোলাই কত হোজা মানুহক দিনৌ যে ঠগিব লাগিছে, দেখিলে দুখ লাগে। এনেবোৰ কাণ্ড দেখিয়েই মহাপুৰুষে যোৰাত দুখ কৰি লিখিছে—

আপুনি পণ্ডিত নুহি মহন্তক
নুপাসিলে কদাচিত ।
তথাপিও গুৰু বোলায়ে কৃষ্ণৰ
মায়ায়ে হয়া মোহিত ॥
নাজানে শাস্ত্ৰক শিষ্যৰ সংশয়
নাপাৰে দূৰ কৰিত ।
তাৰ উপদেশে আনো নতৰয়
আপুনি ভৈল বঞ্চিত ॥
হৰি হৰি হৰি কিনো ভৈল ইটো
কৃষ্ণৰ মায়াৰ বল ।
হৰি ভকতিৰ পথত কণ্টক
পাতিলেক অমঙ্গল ॥
শাস্ত্ৰৰ বিচাৰ নাজানে ভকতি
পৰমাৰ্থ অতি মূঢ় ।
ইহি কথা শুনে কৰ্ণত কুমৰ
কহয় কৰিয়া দূৰ ॥

এতেকে— নাম লোৱা ভাইসকল, নকৰিবা হেলা ।
নামেসে ৰাখিব ঘোৰ সঙ্কটৰ বেলা ॥

এই মতে উপদেশ সাৰোগত কৰি লোৱা ।

তত্ত্ব-কথা

সকলো ধৰ্ম্মৰে দুটা ভাগ আছে, এটা লাগতিয়াল, এটা এলাগতিয়াল বা কম লাগতিয়াল ; এভাগ সাৰ, এভাগ পলস। ধৰ্ম্মোপদেশবোৰৰ শিক্ষা, মত, সিদ্ধান্ত, অনুশাসন, অনুষ্ঠানপদ্ধতি, ক্ৰিয়াকাণ্ড, আচাৰ, নীতি, পৌৰাণিক তত্ত্ব, উপাখ্যান ইত্যাদি পলস ; আৰু আত্মতত্ত্বজ্ঞান আৰু আত্মসংযম সাৰ। গছৰ সাৰটোক ৰক্ষা কৰিবলৈ যেনেকৈ পলসৰো দৰ্কাৰ, ধৰ্ম্মৰ সাৰভাগক ৰক্ষা কৰিবলৈ তেনেকৈ ক্ৰিয়াকলাপ, অনুষ্ঠান প্ৰভৃতিৰো দৰ্কাৰ। কিন্তু পলস যেনেকৈ সাৰ নহয়, এইবোৰো তেনেকৈ আছল বস্তু নহয়। ধৰ্ম্মজীৱন গঠনৰ প্ৰথম ডোখৰত ক্ৰিয়া-কাণ্ডৰ সাৰ্থকতা অস্বীকাৰ কৰিবৰ উপায় নাই। এই দেখিয়েই প্ৰত্যেক ধৰ্ম্মতে ক্ৰিয়াকলাপ, অনুষ্ঠান আচাৰ আদিৰ অস্তিত্ব দেখা যায়। কিন্তু এইটো ঠিক যে ক্ৰিয়াকলাপৰ কেৰিমেৰি পাকত নোসোমোৱাকৈও মানুহ প্ৰকৃত ধাৰ্ম্মিক প্ৰকৃত সাধু হৈ আছল বস্তু লাভ কৰিব পাৰে। প্ৰচলিত ধৰ্ম্মশাস্ত্ৰবিহিত ক্ৰিয়াকলাপৰ কষলৈকে নোযোৱাকৈ অনেক স্ত্ৰী আৰু পুৰুষে ঈশ্বৰ বস্তু লাভ কৰি তৰি যোৱাৰ উদাহৰণ অনেক পোৱা যায়। আকৌ আনফালে ক্ৰিয়াকাণ্ডৰ পলসতে জীৱন পাত কৰি আছল বস্তুৰ পৰা বঞ্চিত হৈ থকা লোকৰ উদাহৰণো অলেখ। পলসকে সাৰ ভাবি তাকে আকোৱালিভাৱে খামোচ মাৰি ধৰি থাকি কতলোকে এই পৃথিৱীত মানৱী জীৱন হেলাতে গোঁৱাব লাগিছে তাৰ অন্ত নাই। সেইদেখি মহাপুৰুষ গুৰুজনে যোৰাত লেখিছে—

"কৰ্ম্মত বিশ্বাস যাৰ, হিয়াত থাকন্তে হৰি,
অভিনয় দূৰ হোন্ত তাৰ,
বিদুৰন্তে দূৰ হোন্ত তাৰ,
অন্তকাল থাকন্তেও সাক্ষাতে কৃষ্ণক পাৰে,
শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্ম যাৰ।"

গীতাত ভগৱন্তই সেই দেখিয়েই বেদৰ কৰ্ম্মকাণ্ড প্ৰতিপাদক ভাগৰ পুষ্পিত বাক্যত অনুৰক্তসকলক অবোধ বুলি অভিহিত কৰিছে—

"যামিমাং পুষ্পিতাং বাচং প্ৰবদন্ত্যবিপশ্চিতঃ
বেদবাদৰতাঃ পাৰ্থ নান্যদস্তীতি বাদিনঃ
কামাত্মানঃ স্বৰ্গপৰা জন্মকৰ্ম্মফল প্ৰদাং
ক্ৰিয়াবিশেষ বহুলাং ভোগৈশ্বৰ্য্য গতিং প্ৰতি
ব্যৱসায়াত্মিকা বুদ্ধিঃ সমাধৌ ন বিধীয়তে।"

অৰ্থাৎ—"অবোধ যে বেদবাক্যে দৃঢ় বান্ধি হিয়া
আৰ কিছু নাই বুলি বহে আঁকৰিয়া
স্বৰ্গ-সুখ একমাত্ৰ পুৰুষাৰ্থ জ্ঞান,
স্বৰ্গ কামনায় সব যাহা অনুষ্ঠান ;
বহু ক্ৰিয়া কৰ্ম্মকাণ্ড কৰিয়া সাধন,
ভোগৈশ্বৰ্য প্ৰলোভনে হয় নিমগন ;
কৰ্ম্মফল জন্মবন্ধ নাহি ঘুচে যাৰ,
নানামতে ভ্ৰান্তমত কৰিযে প্ৰচাৰ।
তাদেৰ মুখেতে কত পুষ্পিত বচন,
শুনিতে যেমন মিষ্ট বিষাক্ত তেমন,
এহেন বচনে ভুলে যেই মূঢ়মতি,
কামনা আসক্ত চিত, ভোগৈশ্বৰ্য্যে ৰতি,
কাম-কামী এবা সবে অনিশ্চিত বুদ্ধি,
কেমনে লভিবে বল সমাধিৰ সিদ্ধি।"

যিসকলে ধৰ্ম্মৰ এই পলস কৰ্ম্মকাণ্ডবোৰকে ধৰ্ম্মলাভৰ পক্ষে অগতিৰ গতি বুলি ভাবে, তেওঁলোকে ধৰ্ম্মৰ পত্ৰ-পুষ্পকে আছল বুলি বিবেচনা কৰি মূল হেৰুৱায়। অৱশ্যে চিত্তশুদ্ধিৰ নিমিত্তে গুৰিডোখৰত শাস্ত্ৰবিহিত ক্ৰিয়াকাণ্ডৰ আৱশ্যকতা স্বীকৃত। মহাপুৰুষে ঘোষাত লেখিছে -

"তাৰত কৃষ্ণৰ ভক্ত নৰে ভক্তি অবিৰোধী কৰ্ম্ম কৰে
কৃষ্ণৰ কথাত ৰতি যেবে নোপজয়।
যেবে ভৈল কৃষ্ণ কথা ৰত নিত্য নৈমিত্তিক আদি যত
কথাৰ বিৰোধী জানিয়া সবে ত্যজয়॥"

কিন্তু চিৰকাল যে কৰ্ম্ম কৰি কটাব লাগিব এনে নহয়। কৰ্ম্ম মানে—বেদবিহিত আৰু ধৰ্ম্ম শাস্ত্ৰবিহিত কৰ্ম্ম বা নিত্যকৰ্ম্ম,—যেনে সন্ধ্যা, পূজা, জপ, আৰতি, যাগ, যজ্ঞ, হোম ইত্যাদি। শ্ৰীৰামকৃষ্ণ পৰমহংসদেৱে কৈছিল—"মৌমাছি ভন ভন কৰে কতক্ষণ? যতক্ষণ না ফুলে বসে। মধুপানেৰ সময় ভনভনানি চলে যায়।" "বিষয়বুদ্ধি যদি নাথাকে, ঈশ্বৰ সে ব্যক্তিৰ হাতেৰ ভিতৰ, অতি নিকটে। লোকে হাজাৰ তপ জপ কৰুক, যদি বিষয়বুদ্ধি থাকে তা হলে কিছুই হবেনা ; আৰ শূকৰ মাংস খেয়ে যদি ঈশ্বৰে মন থাকে সেই ব্যক্তি ধন্য। তাৰ ক্ৰমে ঈশ্বৰ লাভ হবেই।"

শ্ৰীশঙ্কৰদেৱে কীৰ্ত্তনত এই কথাকেই কৈছে—

"আৰ বেদাগম বিস্তৰ শাস্ত্ৰত
নাহি কিছু প্ৰয়োজন।
ধৰ্ম্মক আশায়ে অনেক তীৰ্থক
কি কাৰ্য্যে কৰা গমন॥
যদি অভিলাষ কৰা সৰ্ব্বজন
আপোন মোক্ষ কাৰণ।
গোবিন্দ গোবিন্দ বুলিয়া বেকতে
কৰিয়ো হৰি কীৰ্ত্তন॥"
"ব্ৰহ্মচাৰী গৃহ- বাসী বনবাসী
সন্ন্যাসী যতেক যতি।
হৰিৰ কীৰ্ত্তন এৰি কেহো নৰে
নপাৱে পৰম গতি॥"
"আন ধৰ্ম্ম এৰি হৰি নাম স্মৰি
সুখে পাৱয় যেন গতি।
অনেক প্ৰবন্ধে সমস্ত শাস্ত্ৰিকে
নপাৱে তাক সম্প্ৰতি॥"
"হৰি হেন ইটো দুগুটি অক্ষৰ
জিহ্বা অগ্ৰে থাকে যাৰ।
গঙ্গা গয়া কাশী প্ৰয়াগ সেতুক
যাইবাক নলাগে তাৰ॥"
"তপন্ত তাপেঃ প্ৰপতন্ত পৰ্ব্বতাদটন্ত তীৰ্থানি
পঠন্ত চাগমান।
যজন্ত যাগৈৰ্বিবদন্ত বাদৈৰ্হৰিং বিনা নৈব
মৃত্যুং তৰন্তি॥"

"সমস্ত তপক আচৰোক পৰোক পৰ্ব্বতে উঠি যত
তীৰ্থক ভ্ৰমোক পঢ়োক বেদ নিচয়।
যজোক সমস্ত যজ্ঞচয় যোগক কৰোক সমস্তয়,
হৰি বিনে কদাচিতো মৃত্যু নতৰয়।"
(ঘোষা)

"কলিতে নাৰদীয় ভক্তি—সৰ্ব্বদা তাঁৰ নাম গুণ কীৰ্ত্তন কৰা। যাদেৰ সময় নাই, তাৰা যেন সন্ধ্যা সকালে হাততালি দিয়ে একমনে হৰিবোল হৰিবোল বলে তাঁৰ ভজনা কৰে।"

"ভক্তিৰ মানে কিনা কায়মনবাক্যে তাঁৰ ভজনা। কায়, অৰ্থাৎ হাতেৰ দ্বাৰা তাঁৰ পূজা ও সেবা, পায়ে তাৰ স্থানে যাওয়া, কাণে তাৰ ভাগবত শোনা, নাম গুণ কীৰ্ত্তন শোনা ; চক্ষে তাঁৰ বিগ্ৰহ দৰ্শন। মন—অৰ্থাৎ সৰ্ব্বদা তাঁৰ ধ্যান চিন্তা কৰা, তাঁৰ লীলা স্মৰণ কৰা। বাক্য—অৰ্থাৎ তাঁৰ স্তব স্তুতি, তাঁৰ নাম গুণ-কীৰ্ত্তন এই সব কৰা।"
(শ্ৰীৰামকৃষ্ণ পৰমহংস)

মহাপুৰুষৰ কীৰ্ত্তনঘোষাতো এই কথাৰ :—

"নকৰিবো শিৰে যাৱৰক নমস্কাৰ।
ইটো মাথা গোটা মোৰ ভৈল মহাভাৰ॥

"কৰ্ণ দুই আছে নুশুনিলোঁ হৰি কথা।
দুগোটা গৰ্ত্তৰ ভাৱ বহিলোঁহো বৃথা॥
জিহ্বা মোৰ আছন্তে নলৈলো ৰাম নাম।
দাদুৰীৰ জিহ্বা যেন ভৈল কোন কাম॥
নেদেখিলোঁ নয়নে প্ৰভুৰ যেন ৰূপ।
সম্যকে জানিলোঁ দুয়ো আখি অন্ধকূপ॥
যেন চিত্ৰ বিচিত্ৰ মৈৰাৰ ভাসে পাখি।
হৰি ৰূপ নেদেখিলোঁ পাইলোঁ তেন আখি॥
হৰি-পদ তুলসীৰ নলৈলোহোঁ ঘ্ৰাণ।
জীৱন্তে মৰিলোঁ নাসা ভাতিৰ সমান॥
পিন্ধিলোঁহো বাহুত অনেক অলঙ্কাৰ।
প্ৰভুৰ পূজাক নকৰিলোঁ একবাৰ॥
কৃষ্ণ কৃত্য নকৰিলোঁ ভৈলাহোঁ বৰ্ব্বৰ।
ইটো হস্ত বাহু মিছা মৃতক শৰৰ॥
পাৱ দুই আছন্তে নগৈলোঁ ক্ষেত্ৰ স্থান।
মোৰ পাৱ ভৈল বৃক্ষ শিপাৰ সমান॥"

ঈশ্বৰ লাভৰ উপায় চৈছে নিষ্ঠাৰে সৈতে তেওঁৰ চৰণত ভক্তি। নিষ্ঠাৰ পিছত প্ৰেমা ভক্তি শুদ্ধা ভক্তি জন্মে। প্ৰেমা ভক্তি হলে আৰু কোনো ভাবনা নাই। পৰমহংসদেৱে কৈছে—

"প্ৰেম ৰজ্জুৰ স্বৰূপ। প্ৰেম হলে ভক্তেৰ কাছে ঈশ্বৰ বাঁধা পড়েন, আৰ পালাতে পাৰেন না।"

"মাধৱৰ নাম বৎস প্ৰায় ভৈল
ভক্তে তাক লৈয়া যান্ত।
বেদৰ ঈশ্বৰ হৰি ধেনু যেন
তাৰ পাছে পাছে ধান্ত॥" (ঘোষা)

পৰমহংসদেৱে সেইদেখি তেওঁৰ ইষ্টদেৱতাৰ ওচৰত প্ৰাৰ্থনা কৰিছিল—"মা, এই নাও তোমাৰ পাপ, এই নাও তোমাৰ পুণ্য, আমায় শুদ্ধা ভক্তি দাও। এই নাও তোমাৰ জ্ঞান, এই নাও তোমাৰ অজ্ঞান, আমায় শুদ্ধা ভক্তি দাও। এই নাও শুচি, এই নাও তোমাৰ অশুচি, আমায় শুদ্ধা ভক্তি দাও। এই নাও তোমাৰ ধৰ্ম্ম, এই নাও তোমাৰ অধৰ্ম্ম, আমায় শুদ্ধা ভক্তি দাও।"

আত্মজ্ঞান মানে আত্মতত্ত্বৰ যথাৰ্থ জ্ঞান, স্বৰূপজ্ঞান। মুখৰ কথাৰে সোহহং একোৱেই নহয়; মই যে বাস্তৱিকতে সেই অদ্বিতীয় অখণ্ড চৰাচৰ ব্যাপক বিভুৰে সৈতে একে বা তেওঁৰে এক ক্ষুদ্ৰ অংশ, এইটোৰ প্ৰবল অনুভূতি হব লাগিব; অৰ্থাৎ পৰমহংসদেৱে কবৰ নিচিনা "বোধে বোধ"।

"তুমি নিত্য নিৰঞ্জন নাৰায়ণ
আমিও অংশ তোমাৰ।" (ঘোষা)

এইটোৰ সৰ্ব্বতোভাৱে অনুভূতি। আত্মসংযম মানে বহিৰিন্দ্ৰিয়গ্ৰাহ্য বিষয় সুখাভিলাষী স্বাৰ্থপৰ মন বুদ্ধি চিত্তৰ সম্যকৰূপে দমন। উৎকৃষ্ট অহং আৰু নিকৃষ্ট অহং এই দুই অহঙ্কৰ তুমুল সংগ্ৰাম আমাৰ দেহ-ক্ষেত্ৰত অবিৰামভাৱে চলিব লাগিছে। ওখ থাপৰ অহংভাৱ সম্পূৰ্ণৰূপে আহিব কেতিয়া, যেতিয়া আমাৰ স্বাৰ্থপৰ নিকৃষ্ট অহংভাৱ একেবাৰেই পৰাজিত হব। যাৰ দেহ-ক্ষেত্ৰত উৎকৃষ্ট অহং জয়ী হয়, তাৰ দেহ মিজ্জাফৰ উমিচাঁদ ক্লাইবৰ পলাশীক্ষেত্ৰ। প্ৰহ্লাদে পিতাক দৈত্যেন্দ্ৰক কৈছিল—

"নিৰ্জ্জিনি শৰীৰৰ শত্ৰুচয়।
জিনিলোঁ বুলি দশোদিশে কয়।" (কীৰ্ত্তন)

প্ৰচলিত সকলো ধৰ্ম্মতে ধৰ্ম্মৰ অলাগতীয়া ভাগ তুঁহৰ পৰ্ব্বত হৈ পৰি আছে; সেই তুঁহ আঁতৰাব পাৰিলেহে ধৰ্ম্মৰ আচল বস্তু লাভ কৰিব পাৰি। অজ্ঞানী সৰ্ব্বসাধাৰণৰ চকুৰ পৰা ধৰ্ম্মৰ প্ৰাণভাগ, আচাৰ, অনুষ্ঠান, ধৰ্ম্মব্যাখ্যা, মত, যাগ, যজ্ঞ, হোম কৰ্ম্মাদি তুঁহৰ পৰ্ব্বত শাৰীয়ে এনেকৈ ঢাকি থৈছে যে তেওঁলোকে তাকে ধৰ্ম্ম বুলি ইহেন মানৱী জনম হেলাতে কটায়। স্বৰ্গবাসী ব্ৰহ্মাদি দেৱতাসকলে আৰু মৰ্ত্ত্যবাসী ব্ৰাহ্মণ পণ্ডিত শাস্ত্ৰকাৰ টীকাকাৰ আদি ভূদেৱতাসকলে ইচ্ছা পূৰ্ব্বকেই হওক বা অনিচ্ছা পূৰ্ব্বকেই হওক আচল বস্তুক এনেভাৱে গোপন কৰি থৈছে, যে সি সহজপ্ৰাপ্য নহয়।

"সত্য যুগে প্ৰথমত,
ব্ৰহ্মা আদি দেব যত
হৰিনাম কৰিলা গুপুত॥"

দয়ালু ঈশ্বৰে জীৱৰ বিলাই বিপত্তি দেখি সেই-বাৰে মাজে মাজে মনুষ্যতনু ধাৰণ কৰি অৱতাৰ হৈ সেই আচল বস্তু ব্যক্ত কৰি দিয়ে।

"কিনো দয়াময় হৰি,
নামক বেকত কৰি
কলি পাপ কৰিলা লুপুত॥" (কীৰ্ত্তন)

পৰম অমূল্য বস্তু হৰিৰ নামৰ পেৰা
অতি গুপ্ত স্বৰূপে আছিল।
লোকক কৃপায়ে হৰি শঙ্কৰ স্বৰূপে আসি
মুদ ভাঙ্গি সমস্তকে দিল॥
হৰিনাম প্ৰেম ৰস অমৃত নিধিক বান্ধি
গুপ্ত কৰি থৈলা দেৱগণে।
দয়ালু শঙ্কৰে পাই তুলি মুদ ভাঙ্গি দিলা
সুখে পান কৰা সৰ্ব্বজনে॥
হৰিনাম গুপ্ত ভৈল মনুষ্যত পূজা বৈল
বুলি বজ্ৰ কৰে দেৱ সৰ্ব্ব।
হেন হৰিনাম ধৰ্ম্ম শঙ্কৰে বিদিত কৰি
চুৰ কৈলা দেৱতাৰ গৰ্ব্ব॥" (ঘোষা)

প্ৰকৃত ধৰ্ম্মবস্তু নিৰ্ম্মল আৰু সহজ। এই নিৰ্ম্মল সহজ ধৰ্ম্মবস্তুৱে জাতিবৰ্ণ নিৰ্ব্বিশেষে ঈশ্বৰলাভা-কাঙ্ক্ষী মুমুক্ষুসকলক আদৰি নিজৰ কোলাত স্থান দান কৰে। ই উজু বাটেদি মুমুক্ষু-জিজ্ঞাসুজনক আত্মতত্ত্বজ্ঞান প্ৰদান কৰে আৰু আত্মসংযম আত্মদমন শিক্ষা দিয়ে। ঈশ্বৰক পাবলৈ হলে ব্যাকুলভাৱে তেওঁৰ নাম গুণ গাই তেওঁক মাতিলে, তেওঁ নিশ্চয় পাপী তাপী সন্তানক সামৰি নিব।

ব্যাকুল অন্তৰে
চাহৰে তাঁহাৰে,
প্ৰাণমন সপিযে।

প্ৰেমদাতা আছেন ক্ৰোড় প্ৰসাৰি
যে জন যায় নাহি ফিৰে।" (ব্ৰহ্ম সঙ্গীত)

ঈশ্বৰৰ অংশ মানুহৰ অন্তৰত ওখ খাপৰ আত্ম-ক্ষমতা গুপ্ত আৰু সুপ্তভাৱে আছে; সেই ক্ষমতাক যিমান জাগ্ৰত কৰিব পাৰিবা, সিমান নীচ পাশৱিক ক্ষমতা ক্ষয় পাই হীনবীৰ্য্য হৈ আহিব। আন সকলো জন্তুৰ দৰে মানুহো প্ৰথম অৱস্থাত পাশৱিক প্ৰবৃত্তিৰ চাপত থাকে; আৰু ক্ৰমাৎ মানুহে সেই অৱস্থাক দমন কৰি ওপৰলৈ উঠে। কাম ক্ৰোধাদি স্বাভাৱিক মনোবৃত্তিবোৰৰ দাসস্বৰূপ যি অজ্ঞানান্ধ হৈ চলে তাৰ আত্মসংযম আত্মদমন সুদূৰপৰাহত হয় আৰু সি আত্মতত্ত্ব জ্ঞানৰ পৰা বঞ্চিত হয়। তল খাপৰ জীৱজন্তুৰ দৰে মানুহে দুখ এৰাই সুখ বিচাৰে। যেতিয়ালৈকে মানুহে সুখ দুখৰ মূল কাৰণ অৰ্থাৎ প্ৰকৃত সুখ কিহত আৰু প্ৰকৃত দুখ কিহত, ভালকৈ উপলব্ধি কৰিব নোৱাৰে, তেতিয়ালৈকে সি আত্মদমন কৰি আত্মজয়ী হব নোৱাৰে। বাহিৰা বস্তুত বিচাৰি ফুৰিলে সুখ পোৱা নাযায়; সুখৰ পুং অন্তৰত। বাহিৰা বস্তুৰ উপভোগত উৎপন্ন হোৱা সুখ-নামপোৱা ক্ষন্তেকীয়া সুখ আছল সুখ নহয়। যাৰ এই তত্ত্বজ্ঞান জাগ্ৰত হৈ উঠিব, তাক যি সৰ্ব্বতো-ভাৱে সকলো কাৰ্য্যতে সকলো অৱস্থাতে অনুভৱ কৰি এই সংসাৰত চলিব পাৰিব, সিয়েই আত্মসংযম কৰি তাৰ ফলস্বৰূপে প্ৰকৃত সুখ ভোগ কৰিব পাৰিব। ইন্দ্ৰিয়গ্ৰাহ্য শব্দ স্পৰ্শ ৰূপ ৰসাদিয়ে মানুহক সাধাৰণতঃ সুখ দুখ দিয়ে। এইবোৰে মানুহৰ মনত যি সুখকৰ অনুভূতি উৎপাদন কৰে, তাকে মানুহে সুখ বোলে; আৰু যি দুখকৰ অনুভূতি জন্মায় তাকে দুখ বোলে। কিন্তু আত্মতত্ত্ব জ্ঞানীৰ পক্ষে এনেকুৱা নহয়। কোনো এটা বস্তু বা কাৰ্য্যৰ পৰা কোনো এজনে সুখ পালে, আন এজনে তেনে বস্তু আৰু তেনে কাৰ্য্যৰপৰা সুখ নাপায়। য়ুৰোপীয় সঙ্গীত অনেক ভাৰতীয়ৰ কাণত কুকুৰ-শিয়ালৰ মাত যেন লাগে; আৰু ভাৰতীয় সঙ্গীতো অনেক য়ুৰোপীয়ৰ কাণত কষ্টকৰ হৈ পৰে। চীনাসেনৰ গান শুনিলে আমাৰ মূৰ-কামোৰণি উঠে। আমাৰ ভিতৰত কোনোৱে ঘিউ খাব নোৱাৰে, খালে বঁতিয়ায়। গোলাপ পানী আৰু আঁতৰৰ গোন্ধ সহিব নোৱৰা মানুহো অনেক আছে। কোনোৱে মৰিচ নাইবা জালুকৰ জাল নহলে ভাত খাব নোৱাৰে, আৰু চকুৰ পানী টুকি সেহাই ফোপাই জলা খাইও তৃপ্তি লাভ কৰে; অথচ কোনোৰ পক্ষে জলা আগ্ৰা ক্লেশকৰ। আমিষভোজী সকলৰ মাছ-মঙহ নহলে নচলে, নিৰামিষভোজীসকলে তাৰ গোন্ধকে সহিব নোৱাৰে। আকৌ কোনো এজনক, এসময়ত এটা বস্তুৱে যি সুখ দিছিল, এতিয়া আৰু তেনে সুখ দিব নোৱাৰে, বৰং দুখহে দিয়ে। কোনোৱে কোনো এটা বৰণ ভাল পায়, কোনোক সেই বৰণে কষ্ট দিয়ে। ইয়াৰপৰাই ভালকৈ বুজিব পাৰি যে সুখ আৰু দুখ মানুহৰ বহিৰিন্দ্ৰিয়ৰ বিষয়ভুক্ত, অন্তনিৰুঢ় স্বাভাৱিক বস্তু নহয়। সুখ দুখ মানুহৰ মন আৰু শৰীৰৰ অৱস্থা-নুসৰি হয়। এতেকে পৃথিবীত এনে বস্তু নাই যি সকলোৰে পক্ষে সুখকৰ বা দুখকৰ হব পাৰে, আৰু কোনো এজনৰ সকলো সময়তে একে ৰকমৰ হব পাৰে। ধন, জন-পুত্ৰ-পৰিবাৰ আদি বিষয় সুখৰ পিছে পিছে আমি হাৱাও কাঢ়ি ফুৰো; সিও অনেক সময়ত আমাৰ পক্ষে বিহ যেন হয়। আজি আমাক কোনো এটা বাহিৰা বস্তুৱে যেনে সুখ দিছে, কাইলৈ বা কিছু দিনৰ পিছত সেই বস্তুটোৱেই তেনে সুখ দিব নোৱাৰে দেখি আমি সেইটো সলাই বা পৰিত্যাগ কৰি সুখ বিচাৰি নতুন বস্তুৰ পিছে পিছে লৰ ধৰো। ধন নথকাই ভাবে, তাৰ ধন হলে সুখ হব; কিন্তু যাৰ ধন আছে, সি জানে যে ধনতো সুখ নাই; সুখ নিজৰ মনতহে। নিজৰ মনক যি বাঘজৰী লগাই বান্ধিব পাৰিব, যি আত্মসংযত আৰু দৃঢ় হব, সিহে সুখ পাবলৈ আশা কৰিব পাৰে। বাহিৰত বিষয়-সুখ বিচাৰি ফুৰিলে, এখোজ-দোখোজকৈ মানুহ গৈ এনে অৱস্থাত পৰেগৈ যে, সি সুখ যে নেপায়েই, শেষত তাৰ ধ্বংস অনিবাৰ্য্য। মানুহে সুখৰ বাটত প্ৰতিবন্ধকতা পালে, তাৰ মনত ক্ৰোধ মোহ আদি উপস্থিত হয়; ফলত সি অকৰণীয় কাৰ্য্য কৰে, আৰু শেষত অশেষ কষ্ট পাই বিনষ্ট হয়। সেইদেখি গীতাত কৈছে—

ধ্যায়তোবিষয়ান্ পুংসঃ সঙ্গস্তেষূপজায়তে।
সঙ্গাৎ সংজায়তে কামঃ কামাৎ ক্ৰোধোহভিজায়তে॥
ক্ৰোধাদ্ভবতি সম্মোহঃ সম্মোহাৎ স্মৃতিবিভ্ৰমঃ।
স্মৃতিভ্ৰংশাদ্ বুদ্ধিনাশো বুদ্ধিনাশাৎ প্ৰণশ্যতি॥

বিষয় সুখ স্পৃহাৰ শেষ নাই। বিষয় সুখৰ ভুঞ্জাৰ চৰিতাৰ্থতাত তৃষ্ণা নিবাৰিত নহৈ আৰু প্ৰকোপ হয়। 'কামৰূপেণ কৌন্তেয় দুষ্পূৰেণানলেন চ।" সেইদেখি আত্মদমন আত্মসংযমেই আচল কথা। একাগ্ৰভাৱে ঈশ্বৰ চিন্তা, ধ্যান, ধাৰণাই আত্মসংযমত উপস্থিত কৰিব, আৰু আত্মসংযম হলেই ঈশ্বৰ চিন্তা আৰু ঈশ্বৰ লাভ হব। এয়েই প্ৰকৃত সুখৰ আকৰ, আৰু সেই সুখ অখণ্ড অনন্ত।

মনক একাগ্ৰ কৰিব পাৰিলেই ধ্যান কৰিব পাৰি। একাগ্ৰীকৃত মনেই ধ্যান-ধাৰণাৰ মূল। অবিচ্ছিন্নভাৱে চিন্তাৰ সোঁত কোনো এটা বস্তুৰ ফালে পঠিয়াব পাৰিলেই সেই বস্তুৰ সাক্ষাৎ লাভ হয়। আন সকলো চিন্তা দূৰ কৰি এক মাথোন ঈশ্বৰ চিন্তাৰ ফালে মনক পঠিয়াব পাৰিলেই কাৰ্য্য-সিদ্ধি। মহাপুৰুষে মনক সম্বোধন কৰি গাইছে—

"হে মন তোৰ কাম সঙ্কল্প বিকল্প ধৰ্ম্ম,
তাজি মিছা কামনাসকল।
সদায় সঙ্কল্প মাত্ৰ কৰিবো সুহৃদ মন,
কৃষ্ণ নাম পৰম মঙ্গল ॥" (ঘোষা)

প্ৰথমতে এনে কাৰ্য্যত অনেক বিঘিনি হয়; নানা বাহিৰা বিষয়ে এই চিন্তাৰ শিখাক বিক্ষিপ্ত কৰি দিয়ে; কিন্তু তাতে নিৰাশ নহৈ সেই চেষ্টাৰ অভ্যাস কৰোঁতে কৰোঁতে অভ্যাসৰ ফলত শেহত নিশ্চয় একাগ্ৰতা আহে। ভকতে ঈশ্বৰৰ পাদপদ্মত এই একাগ্ৰতা প্ৰয়োগ কৰে; জ্ঞানীয়ে "তুমিয়েই মই" এই ভাৱত একাগ্ৰ হয়। মই সেই পৰমাত্মাৰ অংশ, এতেকে ময়ো তেৱেঁই; মোৰ শৰীৰ, মন, চিত্ত, বুদ্ধি বুলি সুকীয়া একো নাই, এই ভাৱ সুদৃঢ়ৰূপে ধাৰণ কৰি মনক একাগ্ৰীকৰণ অৰ্থাৎ কেন্দ্ৰীভূত কৰি ঈশ্বৰ চিন্তা কৰিব লাগে। যীশু-খৃষ্টই এনে কৰিয়েই কৈছিল, **"I and my father are one"**

ঈশ্বৰৰ ৰূপ ধ্যান কৰি তেওঁৰ নাম গাওঁতে গাওঁতে অভ্যাসৰ ফলত ভক্তই মুক্তি লাভ কৰে। এই ভাৱে মহাপুৰুষে কীৰ্ত্তনত উপদেশ দিছে—

"ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলোঁ স্বৰূপ ॥"

ঈশ্বৰৰ ৰূপ কেনেকৈ চিন্তা কৰিব লাগে, কীৰ্ত্তনৰ ধ্যান বৰ্ণনত তাৰো দিহা তেওঁ দিছে—

"স্থিৰ বুদ্ধি কৰি ভকতজনে।
প্ৰত্যেক অঙ্গক চিন্তিব মনে ॥
চৰণ-পদ্ম দেখি সুখী হুই।
অৰুণ অতি পদতল দুই ॥" ইত্যাদি

প্ৰহলাদে এনে কৰি, আৰু ব্ৰজৰ গোপীসকলে এনে কৰিয়েই ঈশ্বৰত তন্ময়তা লাভ কৰিছিল, ঈশ্বৰৰ সুপ্ৰীতি কামনা কৰি নিষ্কাম ভাৱে কৰ্ম্মকেই কৰা, বা জ্ঞানচৰ্চ্চা আৰু ধ্যানকে কৰা, বা ভক্তিকে কৰা, সেই কাৰ্য্য জগত তন্ময়ভাৱে কৰিলেই কাৰ্য্যসিদ্ধি হয়। মুঠতে সৰ্ব্বতোভাৱে সকলো কাৰ্য্যতে ঈশ্বৰেৰে সৈতে নিজৰ যোগ ৰাখিব লাগিব। কৰ্ম্ম, জ্ঞান, আৰু ভক্তিৰে পৰমেশ্বৰৰ সৈতে নিবিড় আৰু অবিচ্ছিন্ন যোগ ৰখাই কৰ্ম্ম-যোগ, জ্ঞানযোগ আৰু ভক্তিযোগ। বিচাৰ তৰ্ক আৰু যুক্তিৰে ঈশ্বৰ লাভ নহয় আৰু হবও নোৱাৰে। অসীমক সসীমে ধৰিব নোৱাৰে। সসীমক অসীমেৰে সৈতে তন্ময় কৰিব পাৰিলেহে অসীম তোমাৰ আংশিক অনুভূতিৰ বিষয় হব। Like only apprehends the like. এনে অৱস্থাতহে ঈশ্বৰ তোমাৰ অন্তৰত প্ৰকাশিত হব। চিত্ত শুদ্ধ আৰু হৃদয় মন একাগ্ৰ ৰাখিব পাৰিলেহে পৰমাত্মাৰ বাণী শুনিবলৈ পোৱা যায়। নিৰ্ম্মল দাপোণতহে প্ৰতি-বিম্ব পৰে। কেন্দ্ৰীভূত মনতহে প্ৰতিমূৰ্ত্তি প্ৰতি-ফলিত হয়। যোগী ঋষি মুনিসকলে এনেকুৱা হৃদয় মনেৰেহে ঈশ্বৰ লাভ কৰিব পাৰিছিল। শঙ্কৰ, মাধৱ, চৈতন্য, যীশু, মহম্মদ, নানক, কবীৰৰ এনে অৱস্থাতহে আত্মাৰে সৈতে পৰমাত্মাৰ যোগ ঘটিছিল। এনে অৱস্থা, এনে সংযোগ অভ্যাসৰ বশবৰ্ত্তী। সকলোৱে এনে অৱস্থাত উপস্থিত হব পাৰে, যদি এক চিত্ত-মনেৰে এই অভ্যাসযোগ অৱলম্বন কৰে। ঈশ্বৰৰ ৰাজ্যত ঈশ্বৰৰ বিধানত সকলোৱে নিমিত্তে মুক্তিৰ বাট মুকলি, মাথোন এহাতুৱীয়া চেষ্টাৰ আৱশ্যক। ঈশ্বৰ নিৰপেক্ষ আৰু কৰুণাময়। তেওঁৰ কৰুণা-কণা লাভ কৰিবৰ আমি সকলো অধিকাৰী; আৰু তাৰ বাটো মুকলি, মাথোন ঈশ্বৰ লাভ কৰোঁতা সাধুসকলৰ বাটেদি বাট বুলিলেই হয়।

"হৰিভক্তি ৰাজমাৰ্গ শুক্ল পদনখচন্দ্ৰ প্ৰকাশিত
শ্ৰুতি জননীৰ পদপথ অনুসৰি।
কুৰেঁা হয়া আমি আনন্দিত, স্খলন নাহিকে কদাচিত
মহাজনসবে জানিবা নিশ্চয় কৰি ॥" (ঘোষা)

ভাই! ঈশ্বৰৰ প্ৰতি লক্ষ্য ৰাখি, ঈশ্বৰ লাভৰ এক মাথোন কামনা আগত ৰাখি, মনক সত্যৰ প্ৰতি মুকলি ৰাখি, কৈতৱ পৰিহাৰ কৰি, সৰ্ব্বতো-ভাৱে ঈশ্বৰমুখী হৈ চলা, ভয় নাই।

"এক চিত্ত মনে ভাব ভাই, ভাই, এ।
সকলো আপদ দৈৱে দূৰ।"
"সৈয়ো এক মাত্ৰ সাধু সঙ্গতি।
জেবেসে নিৰ্ম্মল হৈব ভকতি ॥

যাৱত কৈতৱ নেথাকে মন।
তাৱত নপাইবি হৰি চৰণ॥
কৈতৱ প্ৰগত্ভ জ্ঞান ভান কৰি।
ভজিলো হৰিক কৈতৱ এৰি॥
হৰিত বিনায় সবে কৈতৱ।
ভক্ত হৰি পাৱে কৰি উৎসৱ॥
কপট আচাৰ ত্যজিয়া মন।
কেৱলে ভজিয়ো হৰি চৰণ॥
কৈতৱ ত্যজিয়া ভজিয়ো হৰি।
তেৱেসে হৰি লৈবে দাস কৰি॥" (ঘোষা)

পাপী তাপী পতিত অগতিৰো গতি ঈশ্বৰ। কোটি কোটি ঘোৰ অপৰাধকাৰী পাপীৰো গতি হব, মুক্তি হব, ঈশ্বৰ লাভ হব,—যদি সি ঈশ্বৰত একান্ত শৰণাপন্ন হয়। ভগৱন্তই নিজ মুখেৰেই প্ৰতিজ্ঞা কৰি কৈছে—

"মন্মনা ভৱ মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু।
মামেবৈষ্যসি সত্যংতে প্ৰতিজানে প্ৰিয়োঽসি মে॥
সৰ্ব্ব ধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহংত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ॥"

"মোত মাত্ৰ সদা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোকে পূজা মাত্ৰ মোক কৰা নমস্কাৰ।
কহিলো তোমাৰ সত্যবাণী পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ॥"

আন নালাগে ক্ষণ কালৰ নিমিত্তেও যদি আমি সাধু-সঙ্গ লৈ ঈশ্বৰৰ পাদ-পদ্মত মনোনিবেশ কৰো, তেনেহলেও আমাৰ উপায় হয়।

"যদি ভৱ ভয় ভঙ্গ মনে ইচ্ছা কৰা ভাই
সাধু-সঙ্গ সদা কৰা সাৰ।"

ব্ৰহ্ম আৰু ভগৱন্ত

আৰ্য্য ঋষিসকলে ব্ৰহ্মৰ দুটি বিভাগৰ লক্ষণ নিৰ্দ্দেশ কৰিছে, এটি নিৰ্ব্বিশেষ ভাব, আনটি সবিশেষ ভাব। "দ্বে বাব খল্বেতে ব্ৰহ্মজ্যোতিষো ৰূপকে।" (মৈত্ৰায়নী উপনিষদ) অৰ্থাৎ ব্ৰহ্মজ্যোতিৰ দ্বিবিধ ৰূপ। "সপৰ্য্যগাৎ শুক্ৰম্ অকায়ম্ অব্ৰণম্ অস্নাবিৰং শুদ্ধমপাপবিদ্ধম।" এইটো নিৰ্ব্বিশেষ লক্ষণ। "কবিৰ্মনীষী পৰিভূঃ স্বয়ম্ভুঃ যাথাতথ্যতোঽৰ্থান্ ব্যদধাৎ শাশ্বতীভ্যঃ সমাভ্যঃ।" এইটো সবিশেষ লক্ষণ। ব্ৰহ্মৰেই নাম বিষ্ণু। "সগুণো নিৰ্গুণো বিষ্ণুঃ।" শ্ৰীমদ্ভাগৱতৰ তৃতীয় স্কন্ধৰ সপ্তম অধ্যায়ত আছে—"লীলয়া চাপি যুজ্যেৰণ নিৰ্গুণস্য গুণাঃ ক্ৰিয়াঃ।" অৰ্থাৎ নিৰ্গুণ ব্ৰহ্মই লীলা কৰিবৰ নিমিত্তে গুণ আৰু ক্ৰিয়াযুক্ত হয়। দশম স্কন্ধৰ নৱম অধ্যায়ত আছে—"সত্ত্বং ত্বমেৱ সগুণো বিগুণশ্চ ভূমন্।" অৰ্থাৎ হে সৰ্ব্বব্যাপী! তুমি সগুণ আৰু নিৰ্গুণ। তুমিয়েই সমস্ত। প্ৰথম স্কন্ধৰ দ্বিতীয় অধ্যায়ৰ একাদশ শ্লোক—

বদন্তি তৎ তত্ত্ববিদস্তত্ত্বং যদ্ জ্ঞানমদ্বয়ং।
ব্ৰহ্মেতি পৰমাত্মেতি ভগবান্ ইতি শব্দ্যতে॥

অৰ্থাৎ সেই অদ্বিতীয় চিৎ বস্তুকে তত্ত্বজ্ঞানীসকলে তত্ত্ব বোলে। তেৱেঁই ব্ৰহ্ম, তেৱেঁই পৰমাত্মা, তেৱেঁই ভগৱন্ত।

নাৰায়ণ নিৰঞ্জন নিৰাকাৰ নিৰাময়
মুৰাৰি এ হৰি হৰি ৰাম। —(নামঘোষা)

ব্ৰহ্মক ভগৱন্ত বা ঈশ্বৰ বুলিলে তেওঁৰ ঐশিত্ব, শক্তিমত্তা আৰু প্ৰভুভাৱ প্ৰকটিত হয়। ভগৱন্তৰ শক্তিমত্তা আৰু প্ৰভুভাৱেই ঐশ্বৰ্য্য। যি ভাৱত তেওঁ দুষ্টৰ শাস্তা, সাধুৰ ত্ৰাতা "সৃষ্টি স্থিতি প্ৰলয়ৰ যিটো পৰম কাৰণ নাৰায়ণ", ধৰ্ম্মৰ প্ৰতিষ্ঠাতা, অদৃষ্টৰ বিধাতা সেয়ে তেওঁৰ ঈশভাৱ। যি মূৰ্ত্তিৰে তেওঁ "ধৰিলা মন্দৰ গিৰি প্ৰভু পৃষ্ঠভাগে", যি ৰূপেৰে তেওঁ বিপুল ক্ষিতিৰ সংস্থাপন কৰিবৰ অৰ্থে "লীলায়ে দন্তৰ অগ্ৰে উদ্ধাৰিলা ভূমি", যি মূৰ্ত্তিৰে তেওঁ "নৰসিংহ ৰূপে হিয়া বিদাৰিলা তাৰ" আৰু "ভক্ত প্ৰহ্লাদক কৰিলা আশ্বাস", যি মূৰ্ত্তিৰে তেওঁ দেখুৱাই-ছিল যে তেওঁৰ ত্ৰিপাদ পৰিমাণ ত্ৰিভুৱনৰ আচ্ছাদক যি মূৰ্ত্তিৰে তেওঁ দুৰ্দ্দান্ত আৰু ক্ষমতামত্ত ক্ষত্ৰিয়সমূহৰ দ্বাৰাই দলিত পৃথিৱীক "তিনি সাত বাৰ" নিক্ষত্ৰিয় কৰিছিল, যি মূৰ্ত্তিৰে তেওঁ দশাস্য দলন কৰিছিল, সেই মূৰ্ত্তিয়েই তেওঁৰ ঐশ্বৰ্য্যৰ মূৰ্ত্তি।

"পশ্য মে পাৰ্থ ৰূপানি শতশোঽথ সহস্ৰশঃ
নানাবিধানি দিব্যানি নানাবৰ্ণাকৃতীনিচ॥
অনেকবক্ত্ৰনয়নমনেকাদ্ভুতদৰ্শনম্।
অনেকদিব্যাভৰণং দিব্যানেকোদ্যতায়ুধম্॥
দিব্যমাল্যাম্বৰধৰং দিব্যগন্ধানুলেপনম্।
সৰ্ব্বাশ্চৰ্য্যময় দেৱমনন্তং বিশ্বতোমুখম্॥ —গীতা

এই মহামূৰ্ত্তিয়েই তেওঁৰ ঐশ্বৰ্য্যৰ চৰম দৃষ্টান্ত। দৰ্শনশাস্ত্ৰ প্ৰতিপাদ্য নিৰ্গুণভাৱত অজ্ঞেয়বাদীৰ তেওঁ "যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সচ্চিদানন্দ পৰব্ৰহ্ম"; সগুণ ভাৱত সকলো ধৰ্ম্মৰ প্ৰতিপাদ্য, সকলো জীৱৰ উপাস্য, তেৱেঁই ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ —একেই গুণ-ভেদত তিনি, তিনিয়েই এক; তেৱেঁই পাৰ্চীৰ অহুৰমজ্দ, মুছলমানৰ আল্লা, খৃষ্টানৰ গড্, অথবা কৰ্ম্মভেদত হিন্দুৱে ধাৰণা কৰা তেত্ৰিশ কোটি দেৱতা। তেওঁ নিজ মুখে গীতাত কৈছে—

যদ্ যদ্ বিভূতিমৎসত্ত্বং শ্ৰীমদ্ উৰ্জ্জিতমেৱ বা।
তত্তদেৱাৱগচ্ছ ত্বং মম তেজোঽংশসম্ভৱম্॥

অৰ্থাৎ যি যি বিভূতিমৎ শ্ৰীমৎ আৰু বলবৎ, তাকে মোৰ অংশসম্ভূত জ্ঞান কৰিবা।

গীতাত তেওঁ কৈছে—

ব্ৰহ্মণো হি প্ৰতিষ্ঠাহমমৃতস্যাব্যয়স্য চ।
শাশ্বতস্য চ ধৰ্ম্মস্য সুখস্যৈকান্তিকস্য চ ॥

অৰ্থাৎ স্বয়ং ভগৱন্তই কৈছে,—মই ব্ৰহ্মৰ অব্যয় অমৃতৰ সনাতন ধৰ্ম্মৰ আৰু অব্যয় আনন্দৰ প্ৰতিষ্ঠা। শ্ৰীধৰ স্বামীয়ে "প্ৰতিষ্ঠা" শব্দৰ অৰ্থ ব্যাখ্যা কৰি কৈছে, তাৰ মানে ঘনীভূত ব্ৰহ্ম। স্বামীয়ে সূৰ্য্যৰ দৃষ্টান্ত দি বহলাই কৈছে—যেনেকৈ উত্তাপৰ ঘনীভূত পিণ্ডই সূৰ্য্যমণ্ডল, সেইদৰে সৎ, চিৎ আৰু আনন্দ-স্বৰূপ পৰব্ৰহ্মৰ ঘনীভূত বিগ্ৰহেই শ্ৰীকৃষ্ণ। যেনেকৈ গুণী আৰু গুণ এক বস্তু নহয়, সেইদৰে তেজস্বী আৰু তেজ এক বস্তু নহয়। সকলো বেদৰ সাৰ গায়ত্ৰীত "তৎ সবিতুৰ্বৰেণ্যং ভৰ্গোদেৱস্য ধীমহি" মন্ত্ৰৰ মনে জগৎ প্ৰসবিতা দেৱৰ বৰণীয় তেজ ধ্যান কৰো। এতেকে গীতাৰ প্ৰতিষ্ঠা আৰু গায়ত্ৰীমন্ত্ৰত থকা "দেৱস্য" অৰ্থাৎ দেৱৰ—এই দুটাই ঈশ্বৰৰ বিগ্ৰহৰেই প্ৰমাণ দিয়ে। শ্ৰুতিত কৈছে—

"আচাৰ্য্য বুদ্ধি বিদ্যাভিঃ কোহপ্যাত্মানং ন পশ্যতি।
স্বাং তনুং দৰ্শয়েদাত্মা স্বয়ং যন্ত স পশ্যতি॥"

অৰ্থাৎ—আচাৰ্য্য, বুদ্ধি আৰু বিদ্যাৰ সহায়েৰে কোনেও পৰমাত্মাক দেখিবলৈ নাপায়। সেই পৰমাত্মাই যাক কৃপা কৰে, তাৰ আগত হে তেওঁ নিজ তনু প্ৰকাশ কৰে। "তনু" শব্দই ঈশ্বৰ-বিগ্ৰহকেই স্পষ্টকৈ বুজায়। গীতাত ভগৱন্তই কৃপা কৰি অৰ্জ্জুনক দিব্যচক্ষু দি দৰশন দিছিল দেখি অৰ্জ্জুনে তেওঁৰ বিৰাট মূৰ্ত্তি দেখিবলৈ পাইছিল।—

"ন তু মাং শক্যসে দ্ৰষ্টুমনেনৈব স্বচক্ষুষা।
দিব্যং দদামি তে চক্ষুঃ পশ্য মে যোগমৈশ্বৰম্ ॥"

ঈশ্বৰৰ অনুগৃহীত ভক্তই, সুৰসকলে ঈশ্বৰৰ কৃপাত তেওঁক দিব্য চকুৰে দেখিবলৈ পায়। শ্ৰুতিত কৈছে—"তদ্বিষ্ণোঃ পৰমং পদং সদা পশ্যন্তি সুৰয়ঃ দিবীৱ চক্ষুৰাততং।" জ্ঞান অঞ্জনেৰে শোধিত হোৱা প্ৰেম-নেত্ৰেৰেহে ভকতে ঈশ্বৰৰ নিজ তনু প্ৰকট দেখিবলৈ পায়, কলুষিত চৰ্ম্ম-চকুৰে নেপায়। এই প্ৰেম-নেত্ৰ চিদিন্দ্ৰিয়। চিদ্ বস্তু চিদ্ইন্দ্ৰিয়ৰ হে গোচৰ। আলোক বা পোহৰ বুজোৱা কোনো শব্দ শুনিলেই আমি সূৰ্য্যাদিৰ আলোক বা পোহৰ ভাবোঁ, কিন্তু জ্ঞানালোক তেনেকুৱা নহয়। ঈশ্বৰৰ যি ধামত সূৰ্য্যচন্দ্ৰৰ পোহৰৰ আৱশ্যক নাই, আৰু সূৰ্য্য চন্দ্ৰাদিৰ পোহৰে যাক পোহৰাব নোৱাৰে, জড়পিণ্ড সূৰ্য্যচন্দ্ৰাদিৰ পোহৰৰ দ্বাৰাই প্ৰতিভাত হৱৰ উপযোগীকৈ বুজত কৰা চৰ্ম্ম-চকুৰ সকাম তাত কি আছে? এই বাবেই জ্ঞানমূৰ্ত্তি মহাদেৱৰ ভুৰুৰ মাজত থকা তৃতীয় চক্ষু প্ৰদীপ্ত আৰু আন দুটা জড় চকু মুদ খোৱা জ্ঞানালোক সূৰ্য্যাদিৰ আলোকৰ নিচিনা নহয়। সাধন ভজনৰ দ্বাৰাই হে ভ্ৰূমধ্যস্থ এই আলোক প্ৰদীপ্ত হয়।

জলীয়া পদাৰ্থ আন বস্তুৰে মিহলি হলে ঘন হয়। কিন্তু মাটি মিহলি নহলেও পানী ঘন হয়, যেনে বৰফ। সচ্চিদানন্দ ব্ৰহ্মৰো এক অংশ প্ৰকৃতিৰ গুণ সংযুক্ত হৈ ব্ৰহ্মাণ্ড ৰূপে পৰিণত হয়; আৰু প্ৰকৃতিৰে সৈতে অসংলগ্ন হৈও ঘনীভূত হয়। প্ৰকৃতিৰে সৈতে অবিমিশ্ৰ এই ঘনীভূত সৎ, চিৎ, আনন্দ স্বৰূপ ব্ৰহ্মই ভগৱন্ত বিগ্ৰহ শ্ৰীকৃষ্ণ-মূৰ্ত্তি। যেনেকৈ পানী আৰু বৰফ বাস্তৱিকতে সুকীয়া পদাৰ্থ নহয়, সেইদৰে পৰম ব্ৰহ্ম আৰু শ্ৰীকৃষ্ণও সুকীয়া পদাৰ্থ নহয়। পৰমব্ৰহ্মও সৎ-চিৎ-আনন্দ, শ্ৰীকৃষ্ণও সৎ-চিৎ-আনন্দ। ব্ৰহ্ম নিৰাকাৰ, শ্ৰীকৃষ্ণ ভগৱন্ত সাকাৰ, এই মাথোন প্ৰভেদ। তাপিতৰ পক্ষে পানী সুশীতল আৰু আনন্দকৰ; কিন্তু ঘনীভূত বৰফ তাতকৈও আনন্দকৰ; সেইদৰে নিৰাকাৰ ব্ৰহ্ম আনন্দকৰ হলেও, আনন্দ-ঘন-বিগ্ৰহ সাকাৰ শ্ৰীকৃষ্ণ আৰু বেছিকৈ আনন্দকৰ যে তাত সন্দেহ নাই। এই নিমিত্তে প্ৰেমিক একান্ত ভক্তসকলে ঈশ্বৰৰ চৰণ সেৱা সাক্ষাৎভাবে কৰি অতি অধিক আনন্দৰ আস্বাদন পাই যোগী আৰু জ্ঞানীৰ ব্ৰহ্মানন্দ-পানক তুচ্ছ জ্ঞান কৰে। এই বাবেই মুক্তযোগী শুকদেৱে কৈছে—

"শুক নিগদতি পৰীক্ষিত যদি আমি নিৰ্গুণত স্থিত,
তথাপি উত্তম শ্লোকৰ মহিমাগুণে।
কৰিলেক মোৰ বশ্য চিত্ত ভাগৱত গ্ৰন্থ বিপৰীত.
পৰম আনন্দে পঢ়িলো মই আপুনে॥"

এই বাবেই মহাদেৱে—

"হুয়া দেৱ দিগম্বৰ ভস্মে বিভূষিত অঙ্গ
শিৰত ধৰিয়া জটাভাৰ।
মহেশে সেৱন্ত যাক হেন হৰি বিনে আৰ
কোন শ্ৰেষ্ঠ দেৱ আছে আৰ॥"

এই বাবেই—

মহাভাগৱত ৰস মাধৱৰ নাম যশ
আৰু পান কৰিলে যি জনে।
কৃষ্ণৰ চৰণ চিত্ত দিয়া মোক্ষ আদি ৰসে
ৰতি আন নকৰয় মনে॥

এই নিমিত্তেই—

"ঐকান্তি মহামুনি যত নিবৰ্ত্তিয়া বিধি নিষেধত
নিৰ্গুণ ভাৱত স্থিতি হুয়া নিৰন্তৰে।
জানি পুৰুষাৰ্থ সাৰতত্ত্ব কৃষ্ণকথামৃত সাগৰত
কথনে মথনে স্নায়ে ৰমণ কৰে।" —ঘোষা

(বাঁহী ১২শ বছৰ ৬ষ্ঠ সংখ্যা আহিন ১৮৪৪)

প্ৰথম প্ৰকাশ
বেজবৰুৱা শতবাৰ্ষিকী উপলক্ষে
- ১৯৬৮ চন -

সঙ্কলন আৰু সম্পাদনা
অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা

শ্ৰীকৃষ্ণ-কথা

নিৰ্গুণ শ্ৰীকৃষ্ণ

ভাৰতবৰ্ষৰ আৰ্য্য ঋষিসকলে গভীৰ চিন্তা আৰু আলোচনা কৰি ব্ৰহ্ম অৰ্থাৎ পৰমেশ্বৰ বিষয় বিবিলাক তত্ত্ব উদঘাটিত কৰি বৰ্ণনা কৰিছে, সেইবোৰ ওপৰে ওপৰে যোৱা মানুহৰ চকুত এনে পৰস্পৰবিৰোধী হৈ পৰে যে সাধাৰণতঃ তেওঁলোকৰ মনত সেইবোৰ অসংলগ্ন যেন খেলায় আৰু সেই নিমিত্তেই আজি-কালিৰ অনেক শিক্ষাভিমানী ভাৰতীয় ডেকা অজ্ঞতা-বাদী হৈ পৰে আৰু ঈশ্বৰৰ বিষয়ে তেওঁলোকে মূৰ নঘমাই বা তেওঁলোকৰ মতে কাঁইটনি হাবিত নোসো-মাই সাধাৰণভাৱে উজু জীৱন কটায় বা গতানুগত-ভাৱে চলি সংসাৰযাত্ৰা নিৰ্ব্বাহ কৰি ভৱলীলা সাং কৰে। কিন্তু আৰ্য্য-ঋষিসকলৰ বাক্য আৰু শিক্ষা গভীৰভাৱে চিন্তা কৰোঁতাৰ পক্ষে সেইবোৰ অত্যন্ত উপাদেয় আৰু সত্য। পৰমেশ্বৰ বা ব্ৰহ্মৰ দুটা বিভাব উপনিষদৰ ঋষিসকলৰ মানসপটত প্ৰতিভাত হৈছিল। দুইটা সত্য স্বৰূপ পৰম ব্ৰহ্মৰ সত্য বিভাব। সৰ্ব্বসাধাৰণ সক্ষ্ম দৃষ্টিৰে সেই দুটা বিভাব হৃদয়ঙ্গম কৰিব নোৱাৰি গোলমালত পৰে। আৰ্য্য-ঋষিসকলে ব্ৰহ্মক দুইভাৱে দেখিছিল। এটি নিৰ্ব্বিশেষ ভাব, আনটি সবিশেষ ভাৱ। নিৰ্ব্বিশেষ ভাৱৰ ব্ৰহ্ম নিৰ্গুণ। সবিশেষ ভাৱৰ ব্ৰহ্ম সগুণ। নিৰ্ব্বিশেষ ব্ৰহ্মক নিৰ্গুণ, নিৰুপাধি, নিৰ্ব্বিকল্প ইত্যাদি সংজ্ঞা দিয়া হয়। "সপৰ্য্যগাৎ শুক্ৰমকায় মৱণ মস্নাবিৰং শুদ্ধ সপাপবিদ্ধম্"—অৰ্থাৎ তেওঁ সৰ্ব্বব্যাপী, নিৰ্ম্মল, নিৰৱয়ৱ, শিৰ আৰু ব্ৰণৰহিত, শুদ্ধ, অপাপবিদ্ধ। "যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ"—অৰ্থাৎ মনেৰে সৈতে বাক্যই যাক নাপাই উলটি আহে। "স এষ নেতি নেতি আত্মা" —অৰ্থাৎ যাৰ পৰিচয় এই মাথোন যে তেওঁ এনে নহয়, তেনে নহয়, তেওঁৰ আৰু একো নাই। অস্থূল-মনন্বহ্ৰস্বমদীৰ্ঘমলোহিতমস্নেহমচ্ছায়মতমোঽবায়্বনাকাশ-মসঙ্গমৰসমগন্ধমচক্ষুষ্কমশ্ৰোত্ৰমবাগমনোঽতেজস্কম প্ৰাণ-মুখম মাত্ৰম।"—অৰ্থাৎ তেওঁ স্থূল নহয়, অনু নহয়, হ্ৰস্ব নহয়, দীৰ্ঘ নহয়, তেওঁ অলোহিত অৰ্থাৎ তেওঁৰ কোনো বৰণ নাই। তেওঁ কোনো পনীয়া বস্তু নহয়। বায়বীয় পদাৰ্থও নহয়, ৰসও নহয়, গন্ধও নহয়। তেওঁ অচ্ছায়, অতম, অনাকাশ, অসঙ্গ, অচক্ষু, অৰ্ণক, অবাক, মনোবিহীন, কাৰো সৈতে তেওঁৰ উপমা নহয়।

এইবোৰ নিৰ্গুণ ব্ৰহ্মক বুজোৱা কথা। ইয়াৰ মৰ্ম্ম এই যে আমি যি বস্তুৰেই নাম কৰোঁ, যি বস্তুৰেই ধাৰণা কৰোঁ, ব্ৰহ্ম সেই বস্তু নহয়। চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, তৰা, মানুহ, দেৱতা, অগ্নি, বায়ু, আকাশ ইত্যাদি কোনো বস্তুৰেই ব্ৰহ্ম নহয়। অৰ্থাৎ ব্ৰহ্ম সকলো জ্ঞাত আৰু ব্যক্ত বস্তুতকৈ স্বকীয়া, বাক্য মনৰ অগোচৰ অজ্ঞেয় কিবা এটা। এই বাবেই ব্ৰহ্মক নিৰঞ্জন বোলে অৰ্থাৎ তেওঁ অঞ্জন (চিহ্ন) বিহীন। আৰ্য্য ঋষিসকলে ব্ৰহ্মক যেনেকৈ নিৰ্গুণ নিৰঞ্জন বুলি ধাৰণা কৰিছে, সেইদৰে সেই মুহূৰ্ত্ততে ব্ৰহ্মক সগুণ বুলিও ধাৰণা কৰি তেওঁক চিহ্নিত কৰিছে। "কৰ্বিৰ্মনীষী পৰিভূঃ স্বয়ম্ভুঃ যাথাতথ্যতো তোৎৰ্থান ব্যদধাৎ শাশ্বতীভ্যঃ সমাভ্যঃ"—অৰ্থাৎ তেওঁ সৰ্ব্বদৰ্শী, মনৰ নিয়ন্তা, সকলোতকৈ শ্ৰেষ্ঠ আৰু স্বপ্ৰকাশ। তেওঁ সৰ্ব্বতিকাল প্ৰজাসকলক যথোপ-যুক্ত অৰ্থসকল বিধান কৰি আছে। "এতস্মাজ্জায়তে প্ৰাণোমনঃ সৰ্ব্বেন্দ্ৰিয়াণি চ॥ খং বায়ুৰ্জ্যোতি ৰাপঃ পৃথিৱী বিশস্য ধাৰিণী। ভয়াদস্যাগ্নি স্তপতি ভয়াত্ত-পতি সূৰ্য্যঃ। ভয়াদিন্দ্ৰশ্চ বায়ুশ্চ মৃত্যুৰ্ধাৱতি পঞ্চমঃ॥" অৰ্থাৎ এওঁৰ পৰা প্ৰাণ মন আৰু সমুদায় ইন্দ্ৰিয়, আকাশ, বায়ু, জ্যোতি, জল আৰু সকলোৰে আধাৰ এই পৃথিৱী উৎপন্ন হৈছে। এওঁৰ ভয়ত অগ্নি প্ৰজ্জ্বলিত হৈছে, সূৰ্য্যই উত্তাপ দিছে, মেঘে বৰষুণ দিছে, বতাহ বলিছে, মৃত্যু সঞ্চৰণ কৰিছে।

এইবোৰ সগুণ ব্ৰহ্মৰ লক্ষণ। বাস্তৱিকতে সগুণ আৰু নিৰ্গুণ ব্ৰহ্ম দুজন স্বকীয়া নহয়; এক ব্ৰহ্ম "একমেবাদ্বিতীয়ং" ব্ৰহ্মৰে এই দুটা আবাৰ ভাৱৰ প্ৰভেদ মাথোন। সগুণ আৰু নিৰ্গুণ ব্ৰহ্ম বাস্তৱিকতে একে বস্তুৱেই। কাৰণ নিৰ্ব্বিশেষ পৰব্ৰহ্মৰেই মায়া উপাধি অঙ্গীকাৰ কৰি সবিশেষ

বা সগুণ হয়। ব্ৰহ্ম সগুণ হলেই তেওঁক মহেশ্বৰ বোলে। "শ্বেতাশ্বতৰ উপনিষদত কৈছে—"মায়িনং তু মহেশ্বৰম।" "সগুণো নিৰ্গুণো বিষ্ণুঃ"—অৰ্থাৎ বিষ্ণু (ব্ৰহ্ম) সগুণো, নিৰ্গুণো। শ্ৰীমদ্ভাগৱতত লেখিছে—

"লীলয়াবাপি যুঞ্জেৰণ নিৰ্গুণস্য গুণাঃ ক্ৰিয়াঃ" অৰ্থাৎ নিৰ্গুণ ব্ৰহ্মই লীলাবশত গুণ আৰু ক্ৰিয়াযুক্ত হয়।

"বদন্তি তৎ তত্ত্ববিদস্তত্ত্বং যদ্ জ্ঞানমদ্বয়ং।
ব্ৰহ্মেতি পৰমাত্মেতি ভগৱান ইতি শব্দ্যতে॥"
শ্ৰীমদ্ভাগৱত।

অৰ্থাৎ সেই অদ্বিতীয় চিৎ বস্তুক তত্ত্বজ্ঞানীসকলে তত্ত্ব আখ্যা প্ৰদান কৰে। তেৱেঁই ব্ৰহ্ম, তেৱেঁই পৰমাত্মা, তেৱেঁই ভগৱান (ষড়ৈশ্বৰ্য্যশালী সগুণ ব্ৰহ্ম বা মহেশ্বৰ)।

ব্ৰহ্মক অকল নিৰ্গুণ বুলি ধাৰণা কৰিলেও ঠিক নহয়, অকল সগুণ বুলি ধাৰণা কৰিলেও ঠিক নহয়; কাৰণ তেওঁ নিৰ্গুণ সগুণ দুইটা। নিৰ্গুণ ব্ৰহ্মক সগুণো নুবুলি তেওঁৰ স্বৰূপত সীমা দিলে তেওঁৰ অনন্তত্ব গুচে, সগুণক নিৰ্গুণেৰে সৈতে যোগ নিদিলেও তেওঁ খৰ্ব্ব হয়। শঙ্কৰাচাৰ্য্যই ব্ৰহ্মৰ অকল নিৰ্গুণ আৰু ৰামানুজাচাৰ্য্যই ব্ৰহ্মক অকল সগুণ বুলি ধৰি ভুলত পৰিছে। কিন্তু যি শ্ৰুতি বা বেদ দুইৰো অৱলম্বন সেই শ্ৰুতিয়েই একে উশাহতে ব্ৰহ্মৰ সগুণ নিৰ্গুণ এই দুইটা বিভাব স্পষ্টাক্ষৰে উক্তি কৰিছে। শ্বেতাশ্বতৰ উপনিষদত লেখিছে।

"উদ্গীতমেতৎ পৰমং তু ব্ৰহ্ম।
তস্মিন ত্ৰয়ং সুপ্ৰতিষ্ঠাক্ষৰঞ্চ।"

অৰ্থাৎ এই যে পৰব্ৰহ্ম, এওঁ অক্ষৰ; এওঁত তিনটি সুপ্ৰতিষ্ঠিত আছে, এনে উদগীত হৈছে। অৰ্থাৎ ব্ৰহ্মত ভোক্তা, ভোজ্য আৰু প্ৰেৰিতা (নিয়ন্তা) এই তিনটি প্ৰতিষ্ঠিত আছে; আৰু তেওঁ অক্ষৰ। যদিও তেওঁ সবিকাৰ প্ৰপঞ্চৰ আশ্ৰয়; তথাপি তেওঁ বিকাৰী নহয়, তেওঁ অবিনাশী।

"ভোক্তা ভোগ্যং প্ৰেৰিতাঞ্চ মত্বা।
সৰ্ব্বং প্ৰোক্তং ত্ৰিবিধং ব্ৰহ্মমেতৎ॥"
—শ্বেতাশ্বতৰ

অৰ্থাৎ পুৰুষ, প্ৰকৃতি আৰু পৰমেশ্বৰ, ব্ৰহ্মৰ এই তিনটা ভাব। ব্ৰহ্মৰ যি ভাব লক্ষণৰ, চিহ্নৰ, বিশেষণৰ অতীত তাকেই নিৰ্গুণ ব্ৰহ্ম বা পৰব্ৰহ্ম বোলে। এই নিৰ্ব্বিশেষ, নিৰ্ব্বিকল্প নিৰুপাধি নিৰ্গুণ পৰব্ৰহ্মই যেতিয়া মায়া উপাধি অঙ্গীকাৰ কৰে, অৰ্থাৎ যেতিয়া তেওঁ মায়াৰে নিজক সঙ্কুচিত কৰে তেতিয়া তেওঁ সবিশেষ সবিকল্প সোপাধি হয়। অৰ্থাৎ যেতিয়া সীমাহীন চিদাকাশত চিন্মাত্ৰৰ উদয় হৈ অখণ্ড মণ্ডল বৃত্তাকাৰ হৈ, তাৰ মাজত কেন্দ্ৰৰ প্ৰকাশ হয় তেতিয়া ব্ৰহ্মক অপৰ-ব্ৰহ্ম বা মহেশ্বৰ বোলে। যেনেকৈ মকৰাই জাল ৰচনা কৰি নিজক আবৃত কৰে, সেই-দৰে স্বভাৱতে অদ্বিতীয় পৰব্ৰহ্মই নিজৰ মায়াজালেৰে নিজক আবৃত্ত কৰে। কিন্তু বাস্তৱিকতে পৰব্ৰহ্মৰ কোনো হ্ৰাস বৃদ্ধি নহয়, তেওঁক ধাৰণা কৰা বা তেওঁক সেইদৰে দেখোঁতা জীৱৰ চকুতহে তেওঁ তেনেকৈ প্ৰতিভাত হয়। চকুৰে চাব নোৱাৰা তেজোময় সূৰ্য্যক যেনেকৈ এডোখৰ ছাই সনা কাচৰ ভিতৰেদি তেওঁৰ তেজ কিছুদুৰ সঙ্কুচিত কৰি আমি চাব পাৰোঁ, কিন্তু বাস্তৱিকতে সূৰ্য্যৰ কোনো সঙ্কোচ বৃদ্ধি নাই, পৰব্ৰহ্মও তেনেকুৱা। আমাৰ ধাৰণাৰ নিমিত্তে, জগত সৃষ্টিৰ নিমিত্তে তেওঁ সগুণ হব-লগীয়াত পৰে। একেখন সমুদ্ৰই কেতিয়াবা প্ৰশান্ত আৰু কেতিয়াবা তৰঙ্গায়িত বিক্ষুব্ধ। একেজন অদ্বিতীয় ব্ৰহ্মই কেতিয়াবা সগুণ, কেতিয়াবা নিৰ্গুণ। আমাৰ মহাপুৰুষ মাধৱদেৱে কেনে সুন্দৰকৈ শ্ৰুতি, সাংখ্য, বেদান্ত, গীতা আৰু ভাগৱতৰ সাৰ সিদ্ধান্ত, তলত দিয়া গীতটিৰ শাৰী কেইটিত নিবদ্ধ কৰি থৈছে—

"নাহি জন্ম তোমাৰ তথাপি জন্ম ধৰা।
সেহি জন্মে জীৱৰ জনম দূৰ কৰা॥
সহজে অকৰ্ত্তা কৰ্ম্ম কৰা অপৰ্য্যন্ত।
সেহি কৰ্ম্মে জীৱৰ কৰ্ম্মৰ কৰা অন্ত॥
তুমি প্ৰভু নিৰ্গুণ গুণৰ সীমা নাই।
নিৰ্গুণ হোৱায় জীৱ সেহি গুণ গাই॥
কহয় মাধৱ মোৰ ওহি আশা মনে।
সহজ পীৰিতি মাগোঁ তোমাৰ চৰণে॥"

ব্ৰহ্মৰ নিৰ্গুণ সগুণ এই দুইটি ভাব ধাৰণা কৰিলেহে ব্ৰহ্মধ্যান সম্পূৰ্ণ হয়। দুইটাই ব্ৰহ্মৰ ই-পিঠি, সি-পিঠি। নিৰ্ব্বিশেষ ভাবৰ ব্ৰহ্মক পৰব্ৰহ্ম আৰু সবিশেষ ভাবৰ ব্ৰহ্মক অপৰ ব্ৰহ্ম বা শব্দব্ৰহ্ম বোলা হয়। বৃহদাৰণ্যক উপনিষদত কৈছে "দ্বে বাব ব্ৰহ্মণোৰূপে মূৰ্ত্তং চৈবামূৰ্ত্তং চ, মৰ্ত্তঞ্চামৃতঞ্চ, স্থিতং চ যৎ চ, সৎচ তৎচ।" অৰ্থাৎ ব্ৰহ্মৰ দুই বিভাব—মূৰ্ত্ত আৰু অমূৰ্ত্ত, মৰ্ত্ত্য আৰু অমৃত, স্থিৰ আৰু অস্থিৰ, সৎ আৰু তৎ। উপনিষদত সেই দেখি কৈছে "এতদ্ বৈ সত্যকাম। পৰঞ্চ অপৰঞ্চ ব্ৰহ্ম।" অৰ্থাৎ "হে সত্যকাম। এই ব্ৰহ্ম পৰ আৰু অপৰ।" গীতা-ভাগৱতে এই দুই বিভাৱৰ একমেবাদ্বিতীয়ং ব্ৰহ্মকেহে প্ৰকাশ কৰিছে; আৰু এই সগুণ নিৰ্গুণ ব্ৰহ্মকেহে আমাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱ-দেৱে প্ৰচাৰ কৰিছে। ঘোষাৰ প্ৰথমতে লেখিছে—

"একান্ত ভকত সবে নির্গুণ কৃষ্ণৰ গুণ গাবে
সদা বসিয়া যথাত।"

কীৰ্ত্তনৰ প্ৰথমতে আছে—

"প্ৰথমে প্ৰণমো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ॥"

তৈত্তিৰীয় উপনিষদে কয় "সৰ্ব্বকাৰ্য্য বিলক্ষণে ব্ৰহ্মণি" অৰ্থাৎ "সকলো কাৰ্য্য আৰু ধৰ্ম্মৰ বিপৰীত লক্ষণ ব্ৰহ্ম।" তেওঁত সকলো দ্বন্দ্বৰ চিৰসমন্বয়।

ব্ৰহ্ম:— "তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক॥
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুবৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ॥
তুমি পশু-পক্ষী সুৰাসুৰ তৰু-তৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন ভিন॥"
—শঙ্কৰদেৱ

"কৃষ্ণ একদেৱ দুখহাৰী, কালমায়াদিৰো অধিকাৰী
—মাধৱদেৱ

দেশ কাল আৰু নিমিত্ত যেতিয়া তেওঁৰ ভিতৰতে আছে, তেতিয়া আৰু দ্বৈত্যই বা কি অদ্বৈত্যই বা কি? তেওঁ "অণোৰণীয়ান্ মহতোমহীয়ান" তেওঁ চল অচল, দূৰত অথচ ওচৰত, সকলোৰে অন্তৰত, অথচ বাহিৰত, নিৰাকাৰ অথচ সাকাৰ, অমূৰ্ত্ত অথচ জগন্মূৰ্ত্তি, অসীম অথচ সসীম, অকৰ্ত্তা অথচ কৰ্ত্তা। তেওঁ "নিষ্কলং নিষ্ক্ৰিয়ং শান্তং নিৰবদ্যং নিৰঞ্জনম" অথচ "যতো বা ইমানি ভূতানি জায়ন্তে যেন জাতানি জীৱন্তি যৎপ্ৰয়ন্ত্যভি সংবিশন্তি তদ্বিজিজ্ঞাসস্ব তদ্‌ব্ৰহ্ম" অৰ্থাৎ যৰ্যা পৰা ভূতসকল উৎপন্ন হৈছে, যাৰ আশ্ৰয়ত জীয়াই আছে, যাত অনুপ্ৰবিষ্ট হৈছে, তাক জানিবৰ ইচ্ছা কৰা, তেৱেঁই ব্ৰহ্ম। এইষাৰ উপনিষদৰ কথা আৰু "যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ" অৰ্থাৎ বাক্য আৰু মন যাৰ ওচৰ পাবগৈ নোৱাৰি উলটি আহে, অৰ্থাৎ যিজন অজ্ঞেয়" এইষাৰো উপনিষদৰে কথা। এই দুইষাৰ যে ধ্ৰুৱসত্য এইটোও ধ্ৰুৱসত্য। এনে বেদবিহিত, উপনিষদবিহিত ব্ৰহ্ম বা ঈশ্বৰ বা মহেশ্বৰ কৃষ্ণৰে গুণ আমাৰ শ্ৰীমন্ত শঙ্কৰে প্ৰকাশ কৰিলে। তেওঁৰ প্ৰিয় শিষ্য মহাপুৰুষ মাধৱদেৱে সেই দেখিয়েই ঘোষাত সুন্দৰকৈ কৈছে—

"নির্গুণ কৃষ্ণৰ গুণক প্ৰকাশ
কৰিলা শ্ৰীশঙ্কৰে।"

এতেকে আহা ভাই! বেদ উপনিষদ গীতা ভাগৱত আদি সৰ্ব্বশাস্ত্ৰৰ সাৰ মহাধৰ্ম্ম যাক প্ৰচাৰ কৰিবৰ নিমিত্তে শ্ৰীশঙ্কৰদেৱে তেওঁৰ এশ উনৈছ বছৰ ব্যাপী দীৰ্ঘ জীৱন অসমবাসীৰ নিমিত্তে উৎসৰ্গ কৰিলে, সেই ধৰ্ম্মক অৱহেলা নকৰি, তাৰ গভীৰ মৰ্ম্মত প্ৰৱেশ কৰি কৃতকৃত্য হৈ মানৱী জনম সাফল কৰোঁহক।

(বাঁহী: ৮ম বছৰ, ৭ম সংখ্যা— ১৮৩৯ শক)

সগুণ শ্ৰীকৃষ্ণ

মহাসমুদ্ৰৰ দুই অৱস্থা। একেখন মহাসমুদ্ৰই কেতিয়াবা প্ৰশান্ত, কেতিয়াবা বিক্ষুব্ধ। সেইদৰে এক ব্ৰহ্মই কেতিয়াবা নির্গুণ, কেতিয়াবা সগুণ। অনন্ত মহাসমুদ্ৰৰ নিবাত নিষ্কম্প প্ৰশান্ত অৱস্থালৈ মন কৰিলে ব্ৰহ্মৰ নিৰ্গুণ ভাবৰ উপমা পোৱা যায়, আৰু ঢৌৰে হেন্দোলদোপ, ফেনেফোটোকাৰে উথলি থকা অৱস্থালৈ মন কৰি লৈ ব্ৰহ্মৰ সগুণ ভাৱৰ উপমা উপলব্ধি কৰিব পাৰি। নিৰ্ব্বিকল্প নিৰুপাধি নির্গুণ ব্ৰহ্মই মায়া উপাধি গ্ৰহণ কৰি তাৰে নিজক সঙ্কুচিত কৰি সবিশেষে সবিকল্প সোপাধি সগুণ হয়। লক্ষণচিহ্ন বিশেষণৰ অতীত নিৰঞ্জন নির্গুণ ব্ৰহ্মই যেন চিহ্নিত বিশেষিত হৈ অখণ্ড মণ্ডল বৃত্তৰ আকাৰ ধাৰণ কৰে আৰু তাৰ মাজত যেন কেন্দ্ৰৰ উদ্ভৱ হয়। ব্ৰহ্মৰ এই বিভাবেই সগুণ মহেশ্বৰ। শ্বেতাশ্বতৰ উপনিষদত এইদেখি কৈছে "মায়িনন্তু মহেশ্বৰং।" সূৰ্য্যক যেনেকৈ এডোখৰ পাতল আৱৰণৰে আবৰিলে সূৰ্য্যৰ তেজ কিছু পৰিমাণে সঙ্কুচিত হয়, মায়া আবৰণেৰে আবৃত হৈ ব্ৰহ্ম সেইদৰে কিছু পৰিমাণে সঙ্কুচিত হয়। সেইদেখি মায়াক শাস্ত্ৰত ব্ৰহ্মৰ যৱনিকা বুলিছে। সেইদেখি গীতাত ভগৱন্তই কৈছে, "নাহং প্ৰকাশঃ সাৰ্ব্বস্য যোগমায়া সমাবৃতঃ।" কংসই ভয়তে ভাবি ভাবি কৃষ্ণক নিজৰ গৃহলৈ আনিছিল। ভগৱন্তৰ স্বভাৱেই হৈছে, তেওঁক যি যেনে ভাৱে দৃঢ়ৰূপে আহ্বান কৰে, তেওঁ তাৰ ওচৰলৈ সেইভাৱে আহিবই অৱশ্যে সি তেওঁক ৰাখিব পৰা নোৱাৰাটো তাৰ মনোভাৱ ব্যৱহাৰ আৰু অৰ্থাৎ গ্ৰহণ কৰিব পৰা ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰে। কৃষ্ণপাদপদ্মসেৱী ভকতে কৃষ্ণৰ চৰণত ধৰি কাতৰভাৱে কৃষ্ণক কাকূতি কৰে, মায়াৰ বন্ধনৰ পৰা তেওঁক মুকলি কৰি দিবলৈ;— সেইদেখি কৃষ্ণৰ ভকতে উপদেশ দিছে—

"যাৰ মায়া পাশে বন্দী হয়াছ পামৰ মন,
তানদুই চৰণত ধৰ।" —ঘোষা

যিজনৰে সৃষ্ট মায়া সেইজনেই তাক গুচাই নিদিলে আৰু কোনে গুচাই দিব? যি মায়া সৃজন কৰিছে সেইজনেহে মায়াক নিধন আৰু সেইজনৰ কৃপাত সেইজনৰ ভকতেহে মায়াক বা যোগমায়াক নিধন

কৰিব পাৰিব। কংসৰ সাধ্য কি? মায়াক যোগমায়া বোলে এই বাবে যে নিৰ্গুণ ঈশ্বৰে মায়াৰ সঙ্কুচিত হৈ আবৃত হৈ, সীমাবদ্ধ হৈ তেওঁৰ সৃষ্ট জীৱাত্মাৰে যোগ অৰ্থাৎ যুক্ত হব পৰা হয় ইয়াৰ দ্বাৰাই। অৰ্থাৎ জীৱই ঈশ্বৰক পাবৰ নিমিত্তে ঈশ্বৰৰ ঐশীশক্তি মায়াৰ অখলাইদিহে উঠি তেওঁৰ ওচৰলৈ যাব পাৰে। তেওঁৰ কৃপাত তেওঁক লাভ কৰিলে আৰু মানুহলৈ মায়া নাথাকে, কাৰণ আৰু তাৰ আৱশ্যকতা নাই। নিৰ্গুণ ব্ৰহ্মই নিজৰ মায়াৰ আবৰণেৰে নিজক আবৃত সঙ্কুচিত কৰি সগুণ ব্ৰহ্ম বা মহেশ্বৰ হৈ সৃজন পালন আৰু সংহাৰ কৰে—"মায়িনন্তু মহেশ্বৰং"। ভক্তই তেওঁক আৰু বিশেষকৈ পাবৰ নিমিত্তে তেওঁ নিজক আৰু সঙ্কুচিত সীমাবদ্ধ কৰি "মানুষীতনুং" ধাৰণ কৰি ভক্তৰ হৃদয় অভিৰাম কৰি ভক্তৰ জন হৈ অৱতাৰ হয়। ভক্ত আই দৈৱকীৰ কোলাত তেওঁৰ সেই বাবেই বালগোপাল কৃষ্ণৰূপে আবিৰ্ভাৱ: "কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ।"—কীৰ্ত্তন

ওপৰৰ এই কেষাৰ কথাৰে অৰ্থাৎ আজিৰ প্ৰবন্ধৰ মূল কথাৰ পৰা আঁতৰাৰ পিছত আকৌ তালৈ যাওঁ।

"যস্তূৰ্ণনাভ ইব তন্তুভিঃ প্ৰধানজৈঃ
স্বভাৱতো দেৱ একঃ স্বমাবৃণোৎ।"

যেনেকৈ মকৰাই জাল ৰচনা কৰি নিজক আবৃত কৰে, সেইদৰে স্বভাৱতে অদ্বিতীয় ব্ৰহ্মই স্বৰচিত জালেৰে নিজক আবৃত কৰিলে। শ্ৰীমদ্ভাগৱতৰ দ্বিতীয় স্কন্ধৰ ৬ষ্ঠ অধ্যায়ৰ উনত্ৰিছ শ্লোকত লেখিছে—

"নাৰায়ণে ভগৱতি তদিদং বিশ্বমাহিতম্।
গৃহীতমায়োৰুগুণঃ সৰ্গাদাৱগুণ স্মৃতঃ॥"

ইয়াৰ মানে—এই বিশ্ব ভগৱন্ত নাৰায়ণত অধিষ্ঠিত হৈ থৈছে। তেওঁ স্বভাৱতে নিৰ্গুণ, কিন্তু সৃষ্টিৰ আৰম্ভতে তেওঁ মায়া উপাধি অঙ্গীকাৰ কৰি সগুণ হয়। সগুণ ব্ৰহ্মক বিশেষণেৰে বিশেষিত লক্ষণেৰে লক্ষিত কৰিব পাৰি। "সত্যং জ্ঞানমনন্তং ব্ৰহ্ম" অৰ্থাৎ ব্ৰহ্ম সত্যস্বৰূপ, জ্ঞানস্বৰূপ, অনন্তস্বৰূপ, তেওঁৰ এই স্বৰূপ লক্ষণেৰে তেওঁক বিশেষিত কৰিব পাৰি। ব্ৰহ্ম সংহিতাত "ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ সচ্চিদানন্দ বিগ্ৰহঃ" বুলি আৰু "সচ্চিদানন্দ ৰূপায় কৃষ্ণায়াক্লিষ্ট কাৰিণে" অৰ্থাৎ সচ্চিদানন্দৰূপ অক্লিষ্টকৰ্মা শ্ৰীকৃষ্ণক নমস্কাৰ—এই বুলি সগুণ ব্ৰহ্ম পৰমেশ্বৰ কৃষ্ণক নমস্কাৰ কৰি চিহ্নিত কৰিছে। উপনিষদত সগুণ ব্ৰহ্মৰ স্বৰূপ লক্ষণ আৰু তটস্থ লক্ষণ এই দুবিধ লক্ষণ নিৰ্দেশ কৰিছে। যাৰ দ্বাৰাই আমি কোনো বস্তু বা পদাৰ্থৰ আচল চিনাকি পাওঁ, সিয়েই সেই বস্তু বা পদাৰ্থৰ স্বৰূপ লক্ষণ। যাৰ দ্বাৰাই বস্তু বা পদাৰ্থৰ অস্থায়ী গুণৰ চিনাকি পোৱা যায়, সিয়েই সেই বস্তু বা পদাৰ্থৰ তটস্থ লক্ষণ। মানুহৰ কথা কব পৰা শক্তি, মানুহ মৰণশীল, এইটো মানুহৰ স্বৰূপ লক্ষণ। কিন্তু মিঠা খাবলৈ ভাল পোৱাটো, নাইবা গীত বাদ্য শুনিবলৈ ভাল পোৱাৰ নিচিনা লক্ষণ তটস্থ লক্ষণ। উপাধি নহলে শক্তিৰ প্ৰকাশ নহয়। শক্তি প্ৰকাশৰ নিমিত্তে মাধ্যম লাগে। অগ্নি প্ৰকাশ হবৰ নিমিত্তে অৰণি কাঠৰ আৱশ্যক। সূৰ্য্যত পোহৰ শক্তি আছে, কিন্তু পৃথিৱীৰ ওপৰত বায়ুস্তৰ অথবা ইথাৰ নথকা হেতেন সেই পোহৰ প্ৰতিফলিত নহৈ আমাৰ চকুৰ অগোচৰ থাকিলহেঁতেন। মানুহৰ কথা কবৰ শক্তি, শব্দ শুনিবৰ শক্তি আছে। জিভা আৰু কাণৰ মাধ্যম আৰু অভাৱ হলে সেই দুই শক্তি প্ৰকাশ হব নোৱাৰে। এই বাবেই ভগৱন্তৰ উপাধি ধাৰণাৰ আৱশ্যকতা। সৎ, চিৎ, আনন্দ এই তিনি শক্তি(যাক বিষ্ণু পুৰাণত, সন্ধিনী, সংবিৎ, আৰু হ্লাদিনী শক্তি বুলিছে) সদায় পৰমব্ৰহ্ম আছে; কিন্তু যেতিয়ালৈকে তেওঁ মায়া উপাধি গ্ৰহণ কৰি মহেশ্বৰ নহয়, তেতিয়ালৈকে সেই তিনি শক্তি প্ৰকাশিত নহয়। মায়াৰ আৱশ্যকতা এই নিমিত্তেই।

তৈত্তেৰীয় উপনিষদত কোৱা—"যতো বা ইমানি ভূতানি জায়ন্তে। যেন জাতানি জীৱন্তি। যৎ প্ৰযন্ত্যভিসংবিশন্তি" অৰ্থাৎ যাৰ পৰা এই ভূতসকল উপজিছে, উপজি যাৰ দ্বাৰাই জীয়াই আছে আৰু অন্তত যাতে এইসকল লয়প্ৰাপ্ত হব,—এইটো সগুণ ব্ৰহ্মৰ তটস্থ লক্ষণ। এই তটস্থ লক্ষণৰ দ্বাৰাই সগুণ ব্ৰহ্মৰ সৃজন, পালন আৰু সংহাৰৰ অসীম বিৰাট শক্তিৰ অলপ আচৰপ জনা গল। তেওঁ যে ৰজোগুণ ধাৰণ কৰি ব্ৰহ্মা হৈ সৃজন কৰে, সত্বগুণ ধৰি বিষ্ণুৰূপে পালন কৰে, তমোগুণ ধৰি ৰুদ্ৰৰূপে সংহাৰ কৰে; তেওঁৰ এই তিনি শক্তিৰে তেওঁ তিনি মূৰ্ত্তি পৰিগ্ৰহ কৰে, অথচ তিনিও এক, একেই তিনি। শ্ৰীমদ্ভাগৱতৰ চতুৰ্থস্কন্ধৰ সপ্তম অধ্যায়ৰ ৪৮ শ্লোকত ইয়াকেইহে কৈছে—

"আত্মমায়াং সমাবিশ্য সোহহং গুণময়ীং দ্বিজ।
সৃজন্ ৰক্ষণ হৰণ বিশ্বং দধ্ৰে সংজ্ঞাং ক্ৰিয়োচিতাম॥"

ইয়াৰ মানে—ময়েই গুণময়ী আত্মমায়াক আশ্ৰয় কৰি এই বিশ্বৰ সৃষ্টিস্থিতি ধ্বংসৰ নিমিত্তে বিবিধ পৰমব্ৰহ্ম স্বৰূপ।

পৰম ব্ৰহ্মৰ যি নিৰ্ব্বিশেষ ভাব তাক লক্ষণেৰে লক্ষিত, চিহ্নেৰে চিহ্নিত, বচনেৰে বাচ্য কৰিব নোৱাৰি। সেই ভাব "নেতি নেতি।" সেই ভাব "যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসাসহ।" কিন্তু সগুণ ব্ৰহ্ম বা মহেশ্বৰক তেওঁৰ স্বৰূপ লক্ষণেৰে কিছু দূৰ লক্ষিত আৰু তটস্থ লক্ষণেৰে কিছুদূৰ চিহ্নিত কৰা

যায়। অৰ্থাৎ ব্ৰহ্মৰ যিটো সবিশেষ ভাব, সেইটো একেবাৰে বাক্য আৰু লক্ষণৰ অগোচৰ নহয়। পৰম ব্ৰহ্ম "অবাংমনসগোচৰ" অজ্ঞেয় অৰ্থাৎ আমাৰ জ্ঞানৰ অতীত, ইন্দ্ৰিয় বাক্য মন বুদ্ধিৰ অগোচৰ। কিন্তু সগুণ ব্ৰহ্ম বা মহেশ্বৰ আমাৰ একেবাৰেই অগোচৰ অজ্ঞেয় নহয়। তেওঁ সাধাৰণ মন বুদ্ধি ইন্দ্ৰিয়ৰ অগোচৰ হলেও বিশুদ্ধ মন বুদ্ধিৰ আৰু যোগ সমাধিৰে তেওঁক জানিব পাৰি। মুণ্ডক উপনিষদত লেখিছে—

"জ্ঞান প্ৰসাদেন বিশুদ্ধ সত্ত্বস্ততস্ত তং পশ্যতে
নিষ্কলংধ্যায়মানঃ।"

অৰ্থাৎ জ্ঞানৰ প্ৰসাদেৰে বিশুদ্ধচিত্তে সাধকে ধ্যানযোগৰ অখণ্ড পৰমাত্মাক দেখে। ব্ৰহ্মসূত্ৰত কৈছে—

"অপি সংৰাধনে প্ৰত্যক্ষানুমানাভ্যান"

অৰ্থাৎ সংৰাধন কালত তেওঁ (মহেশ্বৰ) দৃষ্টিগোচৰ হয়। সংৰাধন মানে ভক্তি, ধ্যান, প্ৰণিধান ইত্যাদি কাৰ্য্য। তেওঁত সুদৃঢ় ভক্তি কৰি তেওঁত শৰণ পশিলে নিশ্চয় তেওঁক পোৱা যায়। বেদেও ইয়াকে কয়। উপনিষদেও ইয়াকে কয়—

"তমীশ্বৰাণাং পৰমং মহেশ্বৰং তং দেৱতানাং
পৰম চ দৈৱতম্।
পতিং পতীনাং পৰমং পৰস্তাদ্ বিদাস দেৱ
ভুৱনেশমীড্যাম্॥"

অৰ্থাৎ তেওঁ ঈশ্বৰসকলৰ পৰম মহেশ্বৰ, দেৱতাসকলৰ পৰমদেৱতা, প্ৰজাপতিসকলৰ পৰমপতি, পৰাৎপৰ বিশ্বপতি আৰাধ্য দেৱক আমি জানিছো। ভাগৱতত কৈছে—

"যস্মিন্নিদং যতশ্চেদং যেনেদং য ইদং স্বয়ম্।
যোঽস্মাৎ পৰস্মাচ্চ পৰস্তং প্ৰপদ্যে স্বয়ুম্ভুৱম্॥"

অৰ্থাৎ যাত এই বিশ্ব, যাৰ পৰা এই বিশ্ব, যাৰ দ্বাৰাই এই বিশ্ব, যি স্বয়ং এই বিশ্ব যি স্বয়ং এই বিশ্বৰ পিছৰও পিছত সেই স্বয়ুম্ভুত শৰণ পশোঁ। শ্বেতাশ্বতৰ উপনিষদে কয়—

"সৰ্ব্বেন্দ্ৰিয় গুণভাসং সৰ্ব্বেন্দ্ৰিয় বিবৰ্জ্জিতং।
সৰ্ব্বস্য প্ৰভুমীশানং সৰ্ব্বস্য শৰণং বৃহৎ॥"

অৰ্থাৎ তেওঁ সকলো ইন্দ্ৰিয়বিবৰ্জ্জিত, অথচ তেওঁ সকলো ইন্দ্ৰিয়ৰ গুণসম্পন্ন, তেওঁ সকলোৰে প্ৰভু মহেশ্বৰ আৰু সকলোৰে বৃহৎ আশ্ৰয়।

(বাঁহীঃ ৮ম বছৰ ৬ষ্ঠ সংখ্যা— ১৮৪০ শক)

মহেশ্বৰ শ্ৰীকৃষ্ণ

সগুণ ব্ৰহ্মক মহেশ্বৰ বোলে। আৰু এই বাবে তেওঁক মহেশ্বৰ বোলে যে তেওঁ সকলোৰোৰ ঈশ্বৰৰ ওপৰত ঈশ্বৰ।

"তম্ ঈশ্বৰাণাং পৰমং মহেশ্বৰম্।"
(শ্বেতাশ্বতৰ উপনিষদ্)

"সৰ্ব্বস্য প্ৰভুম্ ঈশানং সৰ্ব্বস্য শৰণং বৃহৎ।"
(শ্বেত)

"বশী সৰ্ব্বস্য লোকস্য স্থাবৰস্য চৰস্য চ।" (শ্বেত)

"এষ সৰ্ব্বেশ্বৰ এষ সৰ্ব্বজ্ঞ এষোঽন্তৰ্যামী।"
(মাণ্ডুক্য উপনিষদ্)

"ঈশাবাস্যামিদং সৰ্ব্বম্।" (যজুৰ্ব্বেদ। ঈশ উপনিষদ্)

"সৰ্ব্বস্য বশী সৰ্ব্বস্য ঈশানঃ সৰ্ব্বস্যাধিপতিঃ।"
(বৃহদাৰণ্যক)

"পৰাস্য শক্তিৰ্বিবিধৈৱ শ্ৰূয়তে।
স্বাভাৱিকী জ্ঞান বল ক্ৰিয়া চ।" (শ্বেত)

এই শক্তি-যোগেৰেই নিৰ্ব্বিশেষ ব্ৰহ্ম সবিশেষ হৈ নানা ভাৱে প্ৰতীয়মান হয়।

"য একোবৰ্ণো বহুধা শক্তিযোগাদ্
বৰ্ণান্ অনেকান্ নিহিতাৰ্থো দধাতি।" (শ্বেত)

যাজ্ঞবল্কাই গাৰ্গীক কৈছে,—

"এতস্যাৰা অক্ষৰস্য প্ৰশাসনে গাৰ্গী সূৰ্য্যাচন্দ্ৰমসৌ বিধৃতৌ তিষ্ঠত এতস্যাৰা অক্ষৰস্য প্ৰশাসনে গাৰ্গী নিমেষা মুহূৰ্ত্তা অহোৰাত্ৰাণি অৰ্দ্ধমাসা মাসা ঋতবঃ সংবৎসৰা ইতি বিধৃতাস্তিষ্ঠন্তি।" ইত্যাদি।

কঠোপনিষদত লিখিছে,—

"ভয়াদস্যাগ্নিস্তপতি ভয়াৎতপতি সূৰ্য্যঃ।
ভয়াদ্ ইন্দ্ৰশ্চ বায়ুশ্চ মৃত্যুৰ্ধাৱতি পঞ্চমঃ॥"

"পলায় জগতৰ মৃত্যু যি প্ৰভুৰ ডৰে।
যাক ভয়ে চন্দ্ৰ সূৰ্য্য পৱন সঞ্চাৰে॥" (কীৰ্ত্তন ঘোষা)

বৃহদাৰণ্যক উপনিষদত ক্ষত্ৰিয় ৰাজৰ্ষি অজাতশত্ৰু আৰু বেদবিদ্যাবিৎ বালাকি ঋষিৰ সংবাদত এটা উপাখ্যান আছে :— গৰ্ব্বী বালাকি এদিন অজাতশত্ৰুৰ ওচৰত উপস্থিত হৈ কলে—"ব্ৰহ্ম তে ব্ৰৱামি।" অৰ্থাৎ তোমাক মই ব্ৰহ্মৰ বিষয়ে উপদেশ দিম। অজাতশত্ৰুৱে কলে, "ভাল কথা।" তেতিয়া বালাকিয়ে, সূৰ্য্যত, চন্দ্ৰত, আকাশত, বায়ুত, অগ্নিত, জলত, ছাঁত, দেশত, কালত, আত্মাত যি ব্ৰহ্মশক্তি বিৰাজিত আছে, এটা এটাকৈ কৈ যাবলৈ ধৰিলে। অন্তত অজাতশত্ৰুৱে কলে—"নৈতাৱতা বিদিতং ভৱতি।" অৰ্থাৎ এইবোৰৰ দ্বাৰাই জনা নগল। এই উত্তৰ শুনি গৰ্ব্বী বালাকিৰ মুখৰ মাত হৰিল। অজাতশত্ৰুৱে কলে—

"যো বৈ বালাক এতেষাং পুৰুষাণাং কৰ্ত্তা যস্য বৈ তৎকৰ্ম্ম স বৈ বেদিতব্যঃ।"

অৰ্থাৎ হে বালাকি। এই সমস্ত পুৰুষৰ যি কৰ্ত্তা, এইবোৰ যাৰ কৰ্ম্ম, তাক জানিব লাগিব।

সেই জনেই সগুণ ব্ৰহ্ম, সৰ্ব্বশক্তিমান মহেশ্বৰ। গীতাত শ্ৰীকৃষ্ণ ভগৱন্তই নিজ মুখেৰেই কৈছে—

"যদাদিত্যগতন্তেজো জগদ্ভাসয়তেঽখিলম্।
যচ্চন্দ্ৰমসি যচ্চাগ্নৌ তত্তেজো বিদ্ধি মামকম্ ॥"

অৰ্থাৎ চন্দ্ৰ, সূৰ্য্য আৰু অগ্নিৰ অন্তৰ্গত যি তেজ আৰু যি তেজে সমগ্ৰ জগত প্ৰকাশ কৰিছে, সেই তেজ মোৰেই বুলি জানিবা।

পৰম ব্ৰহ্মই মায়া উপাধি অঙ্গীকাৰ কৰি যেন নিজক সঙ্কুচিত কৰে। ব্ৰহ্মৰ এই মায়া-আৱৰণ স্বেচ্ছা-কৃত। সেই বাবে তেওঁ সোপাধিক হৈয়ো সসীম নহয়। মায়া শব্দটোৰ ধাতুগত অৰ্থ,—"মা" নিষেধ-বাচক, "য়া" প্ৰাপ্তি-বাচক। অৰ্থাৎ—যি প্ৰাপ্ত হৈয়ো নাই, সেয়ে মায়া। অৰ্থাৎ কোনোৰূপে যাৰ নিৰ্ব্বাচন কৰিব নোৱাৰি, সেয়ে মায়া। নিৰালম্বোপনিষদত কৈছে,—"ব্ৰহ্মণঃ সকাশাৎ নানাবিধজগৎৰচনাসমৰ্থা ব্ৰহ্ম-শক্তিৰেব মায়া।"

মায়া ঈশ্বৰৰ এক অপূৰ্ব্ব শক্তি, যাৰ লক্ষণ নাই, অথচ জগৎৰূপ কাৰ্য্য আছে। মায়া নাথাকিলে মুক্তি স্বতঃসিদ্ধ অৱস্থা হ'লহেঁতেন; কাৰণ মায়াৰ অভাৱত জড়েৰে সৈতে চৈতন্যৰ সম্বন্ধৰূপ বান্ধোন নাথাকিল-হেঁতেন। তুলসীদাসে কৱৰ নিচিনা;—মায়া—"তোৰ মোৰ আৰু ময় তঁয়।"

মহেশ্বৰ বিশ্বানুগ হৈয়ো বিশ্বাতিগ। ইংৰাজীত বিশ্বানুগ শব্দক Tianscendent, আৰু বিশ্বাতিগ শব্দক Immanent বুলিব পাৰি। তৈত্তিৰীয় উপনিষদত কৈছে,— "স তপস্তপ্ত্বা ইদং সৰ্ব্বমসৃজত যদিদং কিঞ্চ। তৎ সৃষ্ট্বা তদেব অনুপ্ৰাৱিশৎ।" অথাৎ মহেশ্বৰে এই সমস্ত জগত সৃষ্টি কৰি তাৰ ভিতৰত অনুপ্ৰৱিষ্ট হল। জগতে তেওঁক আৱৰণ কৰিলে। তেওঁ যেন জগতৰ ভিতৰত লুকাই গ'ল। "দেৱাত্ম-শক্তিং স্বগুণৈৰ্ণিগূঢ়াম্" (শ্বেত)। অৰ্থাৎ মহেশ্বৰৰ শক্তি স্বগুণত নিগূঢ় হৈ গল। "যথা ক্ষুৰঃ ক্ষুৰধাৰে অৱহিতঃস্যাৎ," "স যথা সৈন্ধৱখিল্য উদকে প্ৰাপ্ত উদকমেৱ অনুবিলীয়তে" (বৃহদাৰণ্যক)। "যস্ত ঊৰ্ণনাভ ইব তন্তুভিঃ প্ৰধানজৈঃ স্বভাৱতো দেৱো একঃ সমাবৃণোৎ।" (শ্বেত) অৰ্থাৎ মকৰাই যেনেকৈ জাল ৰচনা কৰি নিজক আবৃত কৰে, তেওঁ সেইদৰে প্ৰাকৃতিক জগত-জালেৰে নিজক আবৃত কৰিলে। কিন্তু তেওঁ জগততে শেষ হৈ নগল। তেওঁ জগতৰ ভিতৰত যেনেকৈ আছে, তেনেকৈ জগতৰ বাহিৰতো আছে। তেওঁ বিশ্বানুগ অথচ বিশ্বাতিগ। ঈশোপ-নিষদত কৈছে,—"তদন্তৰস্য সৰ্ব্বস্য তদু সৰ্ব্বস্যাস্য বাহ্যতঃ।" গীতাতো কৈছে, "বহিৰন্তশ্চ ভূতানাম।" অৰ্থাৎ তেওঁ ভূতৰ অন্তৰতো আৰু বাহিৰতো। গীতাত শ্ৰীকৃষ্ণই স্পষ্টকৈয়ে কৈছে যে মই একাংশৰ দ্বাৰাই সমস্ত জগৎ ব্যাপি আছোঁ,—"বিষ্টভ্যাহমিদং কৃৎস্নং একাংশেন স্থিতো জগ ।" (দশম অধ্যায়ৰ ৪২ শ্লোক)। ঋগবেদৰ পুৰুষ-সূক্তত কৈছে—"স ভূমিং বিশ্বতো বৃত্বা অত্যতিষ্ঠদ্ দশাঙ্গুলম।" অৰ্থাৎ ঈশ্বৰে সমস্ত ভূমি আৱৰণ কৰাৰ পিছতে তেওঁৰ দেহ দশ আঙুলি সৰহ হল।

তেওঁ "সৰ্ব্বেন্দ্ৰিয়গুণাভাসং সৰ্ব্বেন্দ্ৰিয়বিবৰ্জ্জিতং।
সৰ্ব্বস্য প্ৰভুমীশানং সৰ্ব্বস্য শৰণং বৃহৎ ॥"
(শ্বেত)

অৰ্থাৎ তেওঁ সৰ্ব্বেন্দ্ৰিয় বিৱৰ্জ্জিত অথচ সমস্ত ইন্দ্ৰিয়ৰ গুণ তেওঁত বিদ্যমান। তেওঁ সকলোৰে প্ৰভু ঈশ্বৰ, সকলোৰে সুমহৎ শৰণ।

তেও বিৰাট। তেওঁ বিশ্বৰূপ। ঋগ্বেদত কৈছে:—"সহস্ৰশীৰ্ষা পুৰুষঃ সহস্ৰাক্ষঃ সহস্ৰপাৎ।" ইত্যাদি। গোটেই জগতেই তেওঁৰ মূৰ্ত্তি আৰু গোটেই জগতেই তেওঁৰ উদৰৰ ভিতৰত। জগৎ মানে অকল আমাৰ এই সৰু পৃথিৱীখনেই নহয়। ভূঃ, ভুবঃ, স্বঃ, মহঃ জনঃ, তপঃ, সত্য— এই সাতখন উৰ্দ্ধলোক আৰু পাতাল, ৰসাতল, মহাতল, তলাতল, সুতল, বিতল আৰু অতল, এই সাতখন অধোলোক জগতৰ ভিতৰতে। গীতাতো এই বিশ্বৰূপ শ্ৰীকৃষ্ণই তেওঁৰ শৰীৰতে অৰ্জ্জুনক দেখুৱাইছে। শ্ৰীমদ্ভাগৱতৰ প্ৰথম স্কন্ধৰ তৃতীয় অধ্যায়তো চমুকৈ এই বিৰাট ৰূপৰ কথা বৰ্ণনা কৰা হৈছে আৰু কোৱা হৈছে যে শ্ৰীকৃষ্ণা-ৱতাৰ সৰ্ব্বশক্তিৰ হেতু আৰু সাক্ষাৎ নাৰায়ণ। 'ঈশ্বৰ পৰমঃ কৃষ্ণঃ সচ্চিদানন্দবিগ্ৰহঃ।" এই উক্তি শ্ৰীমদ্ভা-গৱতৰে—সচ্চিদানন্দ সগুণ ... মহেশ্বৰৰেই স্বৰূপ-বাচক।

আই যশোদাক কৃষ্ণই দুবাৰ এই বিশ্বৰূপ দেখুৱাইছে। প্ৰথমবাৰ শিশু কৃষ্ণই—

"ছলে হাসি তুলি তুমি দেখাইলা মাৱক।
গৰ্ভৰ ভিতৰে আছে সমস্তে জগত ॥
কম্পিল শৰীৰ যশোদাৰ হেন দেখি।
পৰম বিস্ময় হয়া মুদিলন্ত আখি।" (কীৰ্ত্তন)

তাৰ পিছৰ বাৰ বালক কৃষ্ণই মাটি নাই খোৱা বুলি দেখুৱাবলৈ মুখ মেলোঁতে:—

"হেন শুনি মাতে যশোদা নাৰী ॥
বায়ো মেলন্ত যেবে মাটি নখাইলি।
শুনিয়া শিশুৰূপী বনমালী ॥
চোৱা মুখ বুলি মাৱক মাতি।
বাইলন্ত মেলন্ত প্ৰকাশিয়া আতি ॥
যশোদা সুন্দৰী দেখন্ত পাছে।
সমস্ত জগত গৰ্ভতে আছে ॥ (কীৰ্ত্তন)

তৃতীয়বাৰ তেওঁ বিশ্বৰূপ দেখুৱাইছে, কুৰুক্ষেত্ৰৰ যুদ্ধ-ক্ষেত্ৰত অৰ্জ্জুনক। তাৰ আগেয়ে অক্ৰূৰক এবাৰ। অক্ৰূৰে ৰথত তুলি বলভদ্ৰৰে সৈতে তেওঁক বৃন্দাবনৰ-পৰা মথুৰালৈ লৈ যাওঁতে বাটত ৰথ ৰাখি যমুনাৰ জলত বুৰ মাৰি স্নান কৰোঁতে:—

"বুৰ দিয়া মন্ত্ৰ জপিলা পাছে।
দেখন্ত ৰাম কৃষ্ণ ঐত আছে।
ৰথত নাহিকো বুলি উঠিলা।
দোভাইক ৰথতে দুনাই দেখিলা।
পূৰ্ব্বৰতে বসি আছন্ত দুই।
দুনাই বুৰ দিলা বিস্ময় হুই॥

* *

শঙ্কৰ, ব্ৰহ্মা, যত প্ৰজাপতি।
কৰযোৰে সবে কৰন্ত স্তুতি॥" (কীৰ্ত্তন)

ব্ৰহ্মা, বিষ্ণু আৰু শিৱ, এই তিনিও সমান ঈশ্বৰ। ব্ৰহ্মা ৰজোগুণত, বিষ্ণু সত্ত্বগুণত আৰু শিৱ তমোগুণত প্ৰকাশিত। মহেশ্বৰ এই ত্ৰিগুণাতীত। ব্ৰহ্মাই ভুল কৰি কৃষ্ণক মোহিত কৰিবলৈ আহি নিজেও মোহিত হৈ থৰ্ যুগুতি এৰিলে। ব্ৰহ্মাই শেহত স্তুতি কৰি কৃষ্ণক কি কৈছিল মন কৰিবলগীয়া—

"মই কেন দুৰ্ব্বোধ দেখিযো ভগৱন্ত।
মায়াদিলো ঈশ তুমি অনাদি অনন্ত॥
তোমাক পৰীক্ষো মই মায়াক প্ৰকটি।
অগনিৰ আগে যেন ক্ষুদ্ৰ ফিৰিঙতি॥
অজ্ঞৰ ক্ষমিয়ো দোষ জগত নিবাস।
এহি কৃপা কৰা যেন বোলাওঁ তযু দাস॥
গৰ্ভত থাকন্তে উদৰত ঘালে পাৱ।
তাৰ অপৰাধক নধৰে যেন মাৱ॥
তোমাৰ কুক্ষিতে আমি আছোঁ চৰাচৰ।
হেন জানি ক্ষমিয়োক দোষ দামোদৰ॥
কিনো ভাগ্য কিনো ভাগ্য ব্ৰজৰ প্ৰজাৰ।
তুমি পূৰ্ণব্ৰহ্ম হৰি মিত্ৰ ভৈলা যাৰ॥
বৃন্দাবনে তৃণ হৈবো তেবে মহাভাগ।
পাইবোঁ ব্ৰজবাসীৰ চৰণ ৰেণু লাগ॥
যিটো বোলে জানো প্ৰভু জানোক তোমাক॥
তযু মায়া বিভৱৰ নপাওঁ কিছু পাৰ॥" (কীৰ্ত্তন)

শিৱই হৰিৰ মায়াত মোহিতহৈ, পিছত মনত এইদৰে গুণিছিল:—

"বিচাৰত কিছু দোষ নাহিক আমাৰ।
যাৰ মায়া-পাশে বদ্ধ সকল সংসাৰ॥
হেন হৰি মোহিলে আপুনি নাৰী হুই।
আত অনুশোচ আৰে কৰোঁ কোন মই॥
কটাক্ষে সৃজন্ত ব্ৰহ্মাণ্ডকো কোটি কোটি।
এগোটা ডিমাৰ মই কম্ৰ এক গুটি॥

যাহাৰ অঙ্গত চৰাচৰ ভৈল যাক।
হেন হৰি মোহিলে ইহাত কোন লাজ॥" (কীৰ্ত্তন)

মহেশ্বৰ ঈশ্বৰবো ঈশ্বৰ। "তম্ ঈশ্বৰাণাং পৰমং মহেশ্বৰম্" (শ্বেত)। সেই মহেশ্বৰ এক আৰু অদ্বিতীয়। "একমেবাদ্বিতীয়ম্" (ছান্দোগ্য)। "যস্মাৎ পৰং নাপৰমস্তি কিঞ্চিৎ" (শ্বেত) সদাশিৱেও কৃষ্ণক স্তুতি কৰোতে কৈছে,—

"নমো নমো মাধৱ বিধিৰো বিধি-দাতা।
তুমি জগতৰ গতি মতি পিতা মাতা॥
তুমি পৰামাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক॥

গীতাত শ্ৰীকৃষ্ণই নিজেই কৈছে:—

"মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয়।"

এই মহেশ্বৰক কেন্দ্ৰ কৰি আন ঈশ্বৰসকল আছে, যেনেকৈ সূৰ্য্যক কেন্দ্ৰ কৰি গ্ৰহ-উপগ্ৰহবোৰ আছে। সেই নক্ষত্ৰ তৰাবোৰ যেনেকৈ সূৰ্য্যৰ তেজেৰে উদ্ভাসিত, এই ঈশ্বৰবোৰো মহেশ্বৰ জগদীশ্বৰ বিশ্বেশ্বৰৰ তেজেৰে উদ্ভাসিত।

মহেশ্বৰৰ গাৰ নোমৰ ৰন্ধ্ৰ কোটি কোটি ব্ৰহ্মাণ্ডৰ বাতায়ন-পথ। ব্ৰহ্মাই গোপৰূপী বালক শ্ৰীকৃষ্ণক স্তুতি কৰোতে এই কথা কৈছে।

"ক্বাহং তমোমহদহং খচৰাগ্নি বাৰ্ভূসংবেষ্টিতাণ্ড ঘটসপ্তবিতস্তিকায়ঃ।
তাদৃগ্বিধা অগণিতাঃ পৰমাণুচৰ্য্যা বাতাধ্বৰোম-বিৱৰস্য চ তে মহিত্বম্॥" (ভাগৱত)

অৰ্থাৎ ক্ষুদ্ৰ মই ক'ত? আৰু মহান্ তুমি ক'ত? ক্ষিত্যাদি সপ্ত তত্ত্ব গঠিত, মোৰ হাতেৰে সাত বেগেত ব্ৰহ্মাণ্ড এটা মোৰ শৰীৰ। আৰু তোমাৰ শৰীৰৰ নোমৰ কূপেদি এনেকুৱা অগণ্য ব্ৰহ্মাণ্ড সোমাইছে আৰু ওলাইছে—বাতায়ন অৰ্থাৎ ঘৰৰ খিড়িকীয়েদি সোমাৰা পৰমাণু বা ধূলিবোৰৰ দৰে।

মহাপুৰুষে সেইদেখি ঘোষাত গাইছে:—

"গোবিন্দ। গোবিন্দ। গোবিন্দ। গোবিন্দ। গোবিন্দ। ৰাম মুৰাৰি।
অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী॥"

আৰু গীত কৰিছে,—

"ৰোমবিৱৰমহ কোটি কোটি অণ্ড তাণ্ডৱ কৰু এৰ ৰেণুং॥"

বৰং ধূলিকণাৰ লেখ কৰিব পাৰি, কিন্তু ব্ৰহ্মাণ্ডৰ লেখ কৰি শেষ কৰিব নোৱাৰি। আৰু প্ৰত্যেক ব্ৰহ্মাণ্ডতে একো একোজন ব্ৰহ্মা, বিষ্ণু, শিৱ বিৰাজিত আছে।

"সংখ্যা চেৎ বজসামস্তি বিশ্বানাং ন কদাচন।
ব্ৰহ্মা বিষ্ণু শিৱাদিনাং তথা সংখ্যা ন বিদ্যতে।
প্ৰতিবিশ্বেষু সন্ত্যেব ব্ৰহ্মা বিষ্ণু শিৱাদয়ঃ॥"

এইবোৰ ব্ৰহ্মাণ্ড আৰু এই সমস্ত ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰৰ যি অধীশ্বৰ, অৰ্থাৎ যিজন নিখিল ব্ৰহ্মাণ্ডপতি, সেইজনেই মহেশ্বৰ।

"ব্ৰহ্মা বিষ্ণু শিৱাদীনাং যঃ পৰঃ স মহেশ্বৰঃ।"

লিঙ্গ-পুৰাণত লিখিছে :—

"অসংখ্যাতাশ্চ ৰুদ্ৰাখ্যা অসংখ্যাতাঃ পিতামহাঃ।
হৰয়শ্চ অসংখ্যাতা এক এব মহেশ্বৰঃ॥"

যেনেকৈ এজন সম্ৰাটৰ অধীনত অনেক ৰজা থাকে, সেইদৰে মহেশ্বৰৰ অধীনত অসংখ্য ব্ৰহ্মা, বিষ্ণু আৰু শিৱ। সেইসকল একো একোটা ব্ৰহ্মাণ্ডৰ অধিনায়ক,—সৰ্বশো মহেশ্বৰৰ শাসনাধীনত আৰু মহেশ্বৰৰ শাসনৰ অনুকৰণতে তেওঁলোকে নিজৰ নিজৰ ভাগৰ ব্ৰহ্মাণ্ডৰ শাসন চলাইছে।

পুৰাণত এটা কাহিনী আছে :—

এদিন আমাৰ ব্ৰহ্মাণ্ডৰ ব্ৰহ্মা কোনো কাৰ্য্য উপলক্ষে মহাবিষ্ণুৰ ওচৰলৈ গৈছিল। ব্ৰহ্মাই বৈকুণ্ঠৰ দুৱাৰত দেখিলে, দুৱৰীজন গণেশ; কিন্তু মুখ পাঁচখন। ব্ৰহ্মাই আচৰিত মানি ভাবিলে,—এই-পাঁচমুখীয়া গণেশ ক'ৰপৰা ওলালহি; মই চৰ্জন কৰা গণেশৰ মুখ এখন হে। তাৰ পিছত, ব্ৰহ্মাই গণেশক কলে, "মই ব্ৰহ্মা; ভগৱন্তৰে সৈতে সাক্ষাৎ কৰিবলৈ আহিছোঁ।" গণেশে সুধিলে—"আপুনি কোন ব্ৰহ্মাণ্ডৰ ব্ৰহ্মা? ভগৱন্তক কাৰ নাম কম?" ব্ৰহ্মাৰ বিস্ময় আৰু বাঢ়িল। তেওঁ কলে—"কোন ব্ৰহ্মাণ্ডৰ ব্ৰহ্মা? ব্ৰহ্মাণ্ডতো এটা, আৰু তাৰে ব্ৰহ্মা মই।" গণেশে কলে "অ' বুজিছোঁ। আপুনি পৃথিবী ব্ৰহ্মাণ্ডৰ ব্ৰহ্মা। বাৰু খবৰ দিওঁগৈ।" উভতি আহি গণেশে ব্ৰহ্মাক ভিতৰলৈ লৈ গল। ভিতৰলৈ গৈ ব্ৰহ্মাই দেখিলে, কাৰণাৰ্ণৱত এটি অনন্ত-দল পদ্ম ফুলি আছে; আৰু সেই পদ্মৰ পাহিয়ে পতি এটি এটি পৰম গুৱনী কন্যাই একো একোটা ঘূৰণীয়া চোপ হাতত লৈ উমলি আছে। ব্ৰহ্মাই সেই পদ্মৰ পাহিবোৰ লেখিবলৈ চেষ্টা কৰিছিল, কিন্তু নোৱাৰিলে, কাৰণ সেই পাহি অনন্ত। সেইটো কাৰ্য্য এৰি দি, তেওঁ বিমোহিত হৈ সেই কন্যাবোৰৰ খেল চাবলৈ ধৰিলে। চাই থাকোঁতেই কত যুগ বৈ গল, ব্ৰহ্মাই গমকে নাপালে। হঠাৎ তেওঁ দেখিলে যে খেলোতে খেলোতে এটি কন্যাৰ গোলক অৰ্থাৎ চোপটো ভাগি চূৰ্ণমৈ হৈ গল। কন্যাটিয়ে ইনাই-বিনাই কান্দিবলৈ ধৰিলে। মনত বৰ বেয়া লাগি ব্ৰহ্মাই কন্যাটিক কলে "আই, তুমি নাকান্দিবা। এটা চোপ ভাগি গৈছে, তাৰ নিমিত্তে ইমান বেজাৰ কৰিছা কিয়? মই ব্ৰহ্মা, বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্ত্তা। এতিয়াই মই তোমাক তেনেকুৱা কত চোপ সাজি দিব পাৰোঁ। বৰা, নাকান্দিবা, মই এটা সাজি দিওঁ।" কন্যাটিয়ে ব্ৰহ্মাৰ কথালৈ কাণ নিদি কান্দিবলৈ ধৰিলে। কন্যাটিক ভুলাবৰ নিমিত্তে ব্ৰহ্মাই চোপ সাজিবলৈ চেষ্টা কৰিবলৈ ধৰিলে; কিন্তু তেওঁৰ চেষ্টা সমূলি বিফল হল, এটা চোপকে সাজিব নোৱাৰিলে। ব্ৰহ্মা স্তম্ভিত হৈ বিমূঢ়ৰ দৰে চাই বল। সেই দুৱৰী পঞ্চমুখ গণেশে ব্ৰহ্মাৰ ওচৰতে থিয় দি এই কাণ্ড চাই আছিল। তেওঁ ব্ৰহ্মাৰ মোহ দূৰ কৰিবৰ নিমিত্তে কলে—"এই কাৰণাৰ্ণৱৰ অনন্তদল কমল বিশ্বব্ৰহ্মাণ্ডৰ ৰূপক স্বৰূপ। ইয়াৰ একো একোটা পাহিত একো একোটা ব্ৰহ্মাণ্ড। এটি এটি কন্যা একো-একোটা ব্ৰহ্মাণ্ডৰ অধিষ্ঠাত্ৰী দেৱী। তেওঁ সৃষ্টিৰ বিকাশকালত ব্ৰহ্মাণ্ডৰূপ ক্ৰীড়া-গোলক লৈ ধেমালি কৰে। প্ৰলয়ৰ সময়ত সেই গোলক চূৰ্ণ হৈ যায়। আজি আপুনি এটি ব্ৰহ্মাণ্ডৰ তেনে প্ৰলয় দেখিলে। আপোনাৰ সাধ্য কি, যে আপুনি সেই ব্ৰহ্মাণ্ডটো সৃষ্টি কৰে? প্ৰলয়-ৰাতি পুৱালেই সেই ব্ৰহ্মাণ্ডৰ ব্ৰহ্মাই তাক আকৌ সৃষ্টি কৰিব। সৃষ্টিৰ সীমা নাই। বিশ্বব্ৰহ্মাণ্ড-কমলৰ অনন্ত দল।"

অসংখ্য ব্ৰহ্মাণ্ডপতি নৰৰূপী বালক কৃষ্ণৰ ব্ৰহ্ম-মোহন, এনে শাৰীৰে ক্ৰীড়া। তেওঁক নিচিনি ইন্দ্ৰই "মই ঈশ্বৰ' বুলি গৰ্ব্ব কৰিছিল। তেওঁ গোবৰ্দ্ধন-ধাৰণ লীলা কৰি ইন্দ্ৰৰ দৰ্প চূৰ কৰিলে। জলৰ দেৱতা বৰুণৰ দূতে নন্দক ধৰি নিছিল; বৰুণে বুজিব পাৰি তেওঁক স্তুতি কৰি নন্দক এৰি দিলে। কালিয় দমনৰ বাতি বনত লগা জুই তেওঁ পান কৰিলে। কালি নামৰ কাল-সৰ্পৰ মূৰৰ ওপৰত উঠি নাচি কালক দমন কৰি দেখুৱালে যে তেওঁৰ ভক্তসকলৰ ওপৰত কালৰ হাত নাই। যমৰ হাতৰপৰা গুৰুৰ মৃত পুত্ৰক কাঢ়ি আনি গুৰু দক্ষিণা দিলে। অৰ্থাৎ তেওঁ দেখুৱালে যে তেওঁ মৃত্যুৰো অন্তক।

"ভয়াদস্যাগ্নিস্তপতি ভয়াত্তপতি সূৰ্য্যঃ।
ভয়াদিন্দ্ৰশ্চ বায়ুশ্চ মৃত্যুৰ্ধাবতি পঞ্চমঃ॥"

বেদৰ এই বচনৰ অৰ্থ উপযুক্ত উদাহৰণৰ কাৰ্য্যেৰে বুজাই দিলে। অঘাসুৰক বধ কৰি দেখুৱাই দিলে যে তেওঁৰ বৃন্দাবনত তেওঁৰ নিজজন ভক্তক সৰ্ব্বগ্ৰাসী অঘ অৰ্থাৎ পাপ-অজগৰে গিলিব নোৱাৰে। বকাসুৰ প্ৰভৃতি অসুৰক বধ কৰি দেখুৱালে যে কপটতা, ছল-চাতুৰীয়ে তেওঁৰ ভকতৰ অনিষ্ট কৰিব নোৱাৰে। কৰ্ম্মকাণ্ডত মগ্ন থাকি আচন্ পৰম-ব্ৰহ্মক পাহৰা বেদবাদী ব্ৰহ্মচাৰী বিপ্ৰ-

সকলৰ গৰ্ব্ব চুৰ কৰি তেওঁলোকৰ চকু মুকলি কৰি দিলে। ৰাস-লীলাত সৰ্ব্বগ্ৰাসী কামনা বা কামক মৰ্দ্দন কৰি জয় কৰি তেওঁৰ ঐকান্তিক অব্যভিচাৰী ভক্তসকলক পৰমাত্মা তেওঁক লাভ কৰিবলৈ সুগম পথ প্ৰদৰ্শন কৰি দিলে। কুৰুক্ষেত্ৰৰ মহাসমৰত তেওঁ ধৰ্ম্মৰ জয় অধৰ্ম্মৰ পৰাজয় দেখুৱালে আৰু অমূল্য গীতা মহাশাস্ত্ৰ কৈ জগতৰ মানুহক তৰণৰ উপায় কৰি দিলে। সঞ্জয়ে গীতাৰ সাৰবৰ্ণিত ঠিক কথাকে কৈছিল-

"যত্ৰ যোগেশ্বৰঃ কৃষ্ণঃ যত্ৰ পাৰ্থো ধনুৰ্দ্ধৰঃ।
তত্ৰ শ্ৰীৰ্বিজয়ো ভূতি ধ্ৰুৰ্বা নীতিৰ্ম্মতিৰ্ম্মম ॥"

এতেকে আমিও আজি মহাপুৰুষৰে সৈতে জাত লগাই গাওঁ আহাঁ—

"কৃষ্ণ এক দেৱ দুখহাৰী কাল মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ।"

(আৱাহন : ৭ম বছৰ, ১ম সংখ্যা—১৮৫৮ শক)

দধিমথনৰ শ্ৰীকৃষ্ণ

এদিন যশোদাই নিজে দধি মথিছিল। এনেতে শিশু কৃষ্ণই মাকৰ পিয়াহ খাবলৈ ধৰিলে। মাকে পুতেকক কোলাত লৈ পিয়াহ দি থাকোঁতেই দেখিলে আন এঠাইত তপতোৱা গাখীৰ উতলি পৰিছে। যশোদাই কৃষ্ণক কোলাৰ পৰা নমাই থৈ লৰমাৰি উতলি পৰা গাখীৰ নমাই থবলৈ গল। কৃষ্ণই ইতিমধ্যতে পিয়াহ খাবলৈ নাপাই খং কৰি পটাগুটি এটা লৈ তাৰে দৈৰ ভাওটো ভাঙি আন এখোঁটালীত সোমাই, উৰাল এটাৰ ওপৰত উঠি শিকিয়াৰ পৰা লৱণু নমাই লৈ খাই সিচৰতি কৰি পেলালে আৰু পোহনীয়া বান্দৰবোৰকো দিবলৈ ধৰিলে। মাকে তপতোৱা গাখীৰ নমাই থৈ উভতি আহি পুতেকৰ কাণ্ড দেখি পুতেকক বিচাৰি সেই অৱস্থাত পাই, এচাৰি লৈ মাৰিবলৈ গ'ল, পুতেকে লৰ দিলে। শেহত ধৰি সেই দুষ্টালিৰ নিমিত্তে শাস্তি দিবলৈ, পুতেকক বান্ধি থবৰ মনেৰে ঘৰৰ পৰা জৰী আনি উৰাল এটাৰ লগত বান্ধিবলৈ চেষ্টা কৰিলে, কিন্তু যিমানকে জৰী জোৰা দি বান্ধিবলৈ যায়, জৰীয়ে নাটে, আৰু গাঁথি দিবলৈ গলে দেখে দুআঙুল কম হয়। ঘৰত যত জৰী আছিল আনি জোৰা দিও তেওঁ দেখে যে দুআঙুল কম নহৈ নাথাকে। শেহত তেওঁ ভাগৰি পৰিলত, কৃষ্ণই মাকৰ মনৰ পতিয়াই নিজৰ হৈ আপুনি বন্ধন ললে।

মহাকৰি মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে এই কথা কেনে সুন্দৰকৈ কীৰ্ত্তনত বৰ্ণনা কৰিছে, পঢ়িলে মহানন্দ মিলে। তলৰ পদবোৰত এটি অসাৰ্থক শব্দ নাই আৰু শব্দ সমষ্টিৰে "মধুৰৰো সুমধুৰ" স্নেহ, বাৎসল্য, আৰু ভক্তিৰসৰ কি অপূৰ্ব্ব মৌ-কোহ ৰচিত হৈছে চাওক—

"দিনেক যশোদা নন্দজায়া।
আপুনি মথন্ত দধি গৈয়া ॥
কৃষ্ণৰ শৈশৱ-লীলা স্মৰি।
কৃষ্ণ-গুণ গাৱন্ত সুন্দৰী ॥
ক্ষৌম বস্ত্ৰ পিন্ধি দিব্য কাছে।
কটিত মেখলা বান্ধি আছে ॥
পুত্ৰস্নেহে শ্ৰৱে দুয়োস্তন।
আজোৰন্তে লৰে ঘনে ঘন ॥
কম্পুৰ্ম্মন কৰয় কঙ্কন।
শ্ৰমজলে উজ্জ্বল বদন ॥
কৰ্ণত কুণ্ডল দোলে অতি।
খসি পৰে খোপাৰ মালতী ॥
এহিমতে মথন্ত প্ৰয়াসি।
মাৱক ধৰিলে কৃষ্ণে আসি ॥
মথনিত ধৰিয়া নিষেধি।
মথিবাক নেদে আৰ দধি ॥
হাসি কোলে লৈয়া নন্দজায়া।
দিলা স্তন পুত্ৰ মুখ চায়া ॥
দেখন্ত উথলি দুগ্ধ পৰে।
পুত্ৰ এৰি গৈলন্ত লৰৰে ॥
স্তন পিবে নপায়া কৃষ্ণৰ।
কোপে কাম্পে অৰুণ অধৰ ॥
দশন কামুৰি অতি চাণ্ড।
শিলায়ে ভাঙিলা দধি-ভাণ্ড ॥
মহাকোপে কোঠা পশিলন্ত।
সিঙ্কাই লৱণু ভুঞ্জন্ত ॥
আসিলা যশোদা নমাই ক্ষীৰ।
দেখে হাণ্ডি ভাঙিল দধিৰ ॥
জানিল পুত্ৰৰ কৰ্ম্ম গোপী।
হাসিয়া দেখিল পশি খুপি ॥
উড়ল ওপৰে বসি হৰি।
ভুঞ্জন্ত লৱণু চুৰি কৰি ॥
শিকিয়াৰ পৰা নমাই আনি।
বানৰকো দেন্ত দলি হানি ॥
শঙ্কিত নয়ান নাই সাৰি।
দেখিয়া যশোদা লৈল বাৰি ॥
মাধৱে আসন্ত জানি ভৱে।
দিলা লৰ নাৰি উড়লৰে ॥
পাছে পাছে যশোদা খেদন্ত।
ভৱে লাগ মাৱক নেদন্ত ॥
মাক যোগী নপাৱে ধ্যানত।
হেন হৰি পলান্ত ভয়ত ॥

পুত্ৰক খেদন্ত মহা সতী।
শ্ৰোনিভৰে আক্ৰমিল গতি।।
বেগত মেলান ভৈল খোপা।
খসি পৰে মালতীৰ থোপা।।
গোবিন্দ মাৰব শ্ৰম দেখি।
ৰহিলা কান্দতে মুদি আঁখি।।
সভয় নয়নে চান্ত ডৰে।
যশোদা ধৰিল আসি কৰে।।
ভাও ভাঙি আজি যাইবি কোথা।
খাইবো আজি কৃষ্ণ তোৰ মাথা।।
সকল লৰণু কৈলি নাশ।
শুনি প্ৰভু ভৈল মহাত্ৰাস।।
দেখি বাৰি এৰিলন্ত সতী।
কৃষ্ণক বান্ধিবে ভৈল মতি।।
নাহি আদি-অন্ত পূৰ্ব্বাপৰ।
পূৰ্ণব্ৰহ্ম জগত ঈশ্বৰ।।
তাহাঙ্ক তনয় মানি বলে।
যশোদা বান্ধন্ত উড়ুখলে।।
বান্ধন্ত কৃষ্ণক আনি ধৰি।
নোযোবে আঙুল দুই জৰী।।
আৰু জৰী আনি যোৰা দিল।
সিয়ো দুই আঙুল নাটিল।।
হেন দেখি আবো জৰী আনি।
যশোদা বান্ধন্ত টানি টানি।।
শৰীৰৰ বল দিয়া আঁটে।
তথাপি আঙুল দুই নাটে।।
গৃহত যতেক পাইল জৰী।
এহিমতে যুৰিয়া সুন্দৰী।।
উড়ুখলে এবে বান্ধি চাপি।
নাটে দুই আঙুল তথাপি।।
হেন দেখি হাসে গোপীগণে।
যশোদা বিস্ময় ভৈল মনে।।
শৰীৰৰ ঘৰ্ম্ম যায় বহি।
হাসিয়া থাকিল শ্ৰমে ৰহি।।
হেন দেখি প্ৰভু নাৰায়ণ।
স্নেহে লৈলা আপুনি বন্ধন।।"

যাৰ "নাহি আদি অন্ত পূৰ্ব্বাপৰ" এনে "পূৰ্ণ-ব্ৰহ্ম জগত ঈশ্বৰ" যশোদাৰ হাতত বদ্ধ হল। এনে আচৰিত কথা সংঘটিত হল কিয় ? হল, ইয়াকে দেখুৱাবলৈ যে তেওঁ ভকতৰ বশ্য। "ভকতৰ বশ্য তুমি হৰি। সুখে পাৱে গৃহত সুমৰি।" তেওঁ নিজে ধৰা নিদিলে ক্ষুদ্ৰ মনুষ্যৰ সাধ্য কি যে তেওঁক পায় ? দয়াময় তেওঁ একান্ত ভকতৰ প্ৰেম-ৰজ্জুৰেহে বদ্ধ হয়। সেইটো তেওঁৰ স্বভাৱ। ক্ষুদ্ৰ মানৱে তেওঁক ভক্তি কৰি পাই তৰিব লাগে, এই নিমিত্তে তেওঁ "অনুগ্ৰহায় ভক্তানাং মানৱ-দেহমাশ্ৰিতঃ", বৃন্দাবনত কৃষ্ণৰূপে অৱতাৰ। তেওঁৰ নামত চেলেংপেতেংকৈ তেওঁক চিন্তা কৰা বা ধৰিবলৈ যোৱা ভকতৰ হাতত তেওঁ ধৰা নিদিয়ে। দিনে-ৰাতিয়ে মনত সকলো পৰিত্যাগ কৰি, মাথোন তেওঁকে আঁকোৱগজালিকৈ ভাবি থকা ভকতৰ হাততহে তেওঁ আবদ্ধ হয়। যশোদাই সকলো গৃহকাৰ্য্য কৰি, দধি মথি থাকোতেও মনৰ পৰা কৃষ্ণ যোৱা নাই—

"কৃষ্ণৰ শৈশৱ গুণ স্মৰি।
কৃষ্ণ গুণ গাৱন্ত সুন্দৰী।।"

মথনিত ধৰি টানিছে, কিন্তু তেওঁৰ মন কৃষ্ণত— "পুত্ৰস্নেহে শ্ৰৱে দুই স্তন।" পৃথিৱীত ঈশ্বৰৰ প্ৰতি বাৎসল্য-প্ৰেমৰ মহিমা প্ৰকাশ কৰিবৰ নিমিত্তে, আৰু বেদোক্ত ব্ৰহ্মজ্ঞান শিক্ষা দিবৰ নিমিত্তে ভগৱন্তৰ এই লীলা। বেদত কৈছে—

"অস্থূলমনণ্বহ্রস্বমদীৰ্ঘম্।
অনোৰণীয়ান্ মহতোমহীয়ান্।।"

এনে ব্ৰহ্মই ভক্তৰ বাঞ্ছা পূৰ্ণ কৰিবৰ নিমিত্তে শ্ৰীকৃষ্ণৰূপে যশোদাৰ হাতত কৃপা কৰি স্বইচ্ছাত বদ্ধ।

যশোদাৰ জৰী দুআঙুল কম হয় কিয় ? তিনি আঙুল বা একাঙুল কম নহয় কিয় ? বাৰে বাৰে দুআঙুল কমতহে ৰয় কিয় ? ইয়াৰ মানে যশোদাৰ তেতিয়াও দুটি ভাব মনত আছিল, (১) অহং ভাব, (২) মমতা ভাব। যশোদাই ভাবিছিল, মই কৃষ্ণক বান্ধিম। আৰু ভাবিছিল মোৰ এই জৰীৰে বান্ধিম। মই আৰু মোৰ এই দুটা যেতিয়ালৈকে তেওঁৰ গাত আছিল, তেতিয়ালৈকে তেওঁ কৃষ্ণক বান্ধিব নোৱাৰিছিল। কিন্তু যেতিয়া তেওঁ নোৱাৰি হৰি নিজৰ ক্ষমতা আৰু নিজৰ জৰীৰ ওপৰত তেওঁৰ ঘৃণা হল, আৰু সেই দুটাক বিসৰ্জ্জন দিলে, তেতিয়াই সেই দুই আঙুল জৰী পূৰ্ণ হল আৰু তেওঁ কৃতকাৰ্য্য হল।

অন্তৰ্য্যামী ভক্তবৎসল ভগৱন্তই যেতিয়া দেখিলে যশোদাৰ—

"শৰীৰৰ ঘৰ্ম্ম যায় বহি।
হাসিয়া থাকিল শ্ৰমে ৰহি।।"

অহঙ্কাৰ চূৰ্ণ হৈ গৈছে। মাথোন লাজত পৰিহে বান্ধিবৰ চেষ্টা কৰিছে; তেতিয়া আৰু তেওঁ থাকিব নোৱাৰি,

"স্নেহে লৈলা আপুনি বন্ধন।"

দুৰ্য্যোধনৰ সভাত দুঃশাসনে দ্ৰৌপদীৰ বস্ত্ৰ বিমান টানি নিছিল, সিমান বাঢ়ি গৈছিল। কাৰণ তেতিয়া দ্ৰৌপদী শ্ৰীকৃষ্ণত সৰ্ব্বতোভাৱে শৰণাগতা। তেওঁ নিজৰ ওপৰত আৰু নিজ শক্তিৰ ওপৰত নিৰ্ভৰ

নকৰি, "হে প্ৰাণবন্ধু কৃষ্ণ মোক ৰক্ষা কৰা" বুলি অনন্ত ঈশ্বৰৰ কৰুণাৰ ওপৰত আত্মসমৰ্পণ কৰি দিছিল। সেইদেখি অনন্ত ঈশ্বৰ দ্ৰৌপদীৰ বস্ত্ৰৰ ভিতৰত প্ৰৱেশ কৰিছিল, আৰু দ্ৰৌপদীৰ বস্ত্ৰও অনন্ত হৈ পৰিছিল।

মহৰ্ষি ব্যাসদেৱে শ্ৰীকৃষ্ণৰ এই লীলাত ইয়াকে দেখুৱালে যে ভক্তই প্ৰেমৰ দোলেৰে যেনেকৈ ঈশ্বৰক হৃদয়-বৃন্দাবনত আবদ্ধ কৰিব পাৰে, কৃষ্ণপ্ৰাণ স্নেহময়ী যশোদাই বহিৰ্বৃন্দাবনতো স্থূল দোলেৰে ঈশ্বৰক সেইদৰে আবদ্ধ কৰিব পাৰে। এই বাবেই কোৱা হৈছে—

ব্ৰহ্মা লক্ষ্মীদেৱী মহাদেৱ।
নপাইল আনন্দ হেন কেৱ॥
যশোদা প্ৰসাদ যেন পাইল।
ইটো গোপী কিনো তপসাইল॥ (কীৰ্ত্তন)

চঞ্চল কৃষ্ণক শাস্তি দিবৰ মনেৰে যশোদাই এটা উড়ালৰে সৈতে বান্ধি থৈ গৃহকাৰ্য্য কৰিবলৈ গল। কৃষ্ণই বান্ধেৰে সৈতেই উড়ালটো নাহে নাহে টানি লৈ অৰ্জ্জুন গছ দুজোপাৰ মাজত সোমাল। দুই জোপা গছৰ মাজত থকা সুৰুঙাটো সৰু আছিল; কিন্তু কৃষ্ণই সেই সুৰুঙাই দিয়েই সৰকি গল, উড়ালটো পথালি হৈ দুইজোপা গছত লাগিল। কৃষ্ণই আজোৰ মাৰি দিলে, আৰু আজোৰত গছ দুজোপাই ভয়ঙ্কৰ মচ্ মচ্ শব্দ কৰি উভাল খাই পৰিল।

পৰম ব্ৰহ্ম কৃষ্ণই এই কৰ্ম্মৰ দ্বাৰাই দেখুৱালে যে তেওঁ বদ্ধ হলেও মুক্ত। তেওঁক বান্ধি থলেও তেওঁ পলাব পাৰে। আৰু দেখা গল যে তেওঁ "অনোৰণীয়ান মহতোমহীয়ান সঙ্কীৰ্ণ ছিদ্ৰ বা পথে তেওঁক প্ৰতিবন্ধক দি ৰাখিব নোৱাৰে। জড় কাষ্ঠময় উড়ালতো তেনেকুৱা নহয়, গতিকে সেই উড়ালক সেই সঙ্কীৰ্ণ বাটে স্বভাৱতে বাধা দিলে।

এনে সময়তে এটি আচৰিত ঘটনা ঘটিল। অৰ্জ্জুন গছ দুজোপাৰ গুৰিৰ পৰা দুটি সুন্দৰ পুৰুষ ওলাই দুয়ো কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে।

নলকুবেৰ আৰু মণিগ্ৰীৱ নামেৰে কুবেৰৰ দুজন পুতেক আছিল। তেওঁলোক ধনৰ গৰ্ব্বত উদ্ধত হৈ পৰি অন্যায় আচৰণ কৰিছিল দেখি, দয়ালু নাৰদে তেওঁলোকক শিক্ষা দি শুধৰাবৰ নিমিত্তে গোকুলত গছ হৈ থাকিবৰ নিমিত্তে শাপ দিলে। বহুকাল কৰ্ম্মফল ভোগ কৰি পাপ ক্ষয় কৰি, তেওঁলোক কৃষ্ণৰ স্পৰ্শত মুক্ত হল।

কুবেৰ দেৱতা। কুবেৰৰ লৰা দুটিও দেৱতা। পশু, পক্ষী, বৃক্ষ-লতাদিৰ সৎ-অসৎ কাৰ্য্য বিবেচনা কৰিবৰ ক্ষমতা নাই। মানুহক আৰু দেৱতাক ঈশ্বৰে সেই ক্ষমতা দিছে; সেই বাবে তেওঁলোক স্বকৃত কৰ্ম্মৰ নিমিত্তে দায়ী। সেই বাবে মানুহ আৰু দেৱতা দুয়ো সৎ আৰু অসৎ কৰ্ম্মৰ ফল ভোগ কৰি, কৰ্ম্মানুসাৰে তলৰ পৰা ওপৰলৈ উঠে নাইবা ওপৰৰ পৰা তললৈ পৰে। এই কথাকে ইয়াত স্পষ্টকৈ দেখুৱা হৈছে। নিজ কৰ্ম্মানুৰূপে দেহান্তৰ-প্ৰাপ্ত হোৱাটো হিন্দু শাস্ত্ৰৰ সিদ্ধান্ত।

"মনুষ্য জনম পাই হৰিক নভজিলা।
অৰণ্যে হৈবাহা ভাই তৃণতৰু শিলা॥"
—(ঘোষা)

অহল্যা পাষাণী হোৱা কথা ৰামায়ণত আছে। ভাল কৰ্ম্ম, ভাল চিন্তা, অসৎ কৰ্ম্ম আৰু অসৎ চিন্তাৰ ফল মৃত্যুৰ পিছত সূক্ষ্ম শৰীৰি জীৱই যে ভোগ কৰিবলগীয়া হয়, এই সত্য আজিকালি অনেক পাশ্চাত্য পণ্ডিত আৰু প্ৰেততত্ত্বালোচকসকলৰো মনত প্ৰতিভাত হৈছে। মৃত্যুৰ সময়ত দেহৰ ভিতৰত থকা সূক্ষ্ম শৰীৰে সেই জীৰ্ণ দেহ পৰিত্যাগ কৰি স্বকৰ্ম্মানুৰূপে দেহান্তৰ আশ্ৰয় কৰে। গীতাত এই কথাকে এই শ্লোকেৰে কোৱা হৈছে—

"বাসাংসি জীৰ্ণানি যথা বিহায়
নবানি গৃহ্নাতি নৰোহপৰাণি।
তথা শৰীৰানি বিহায় জীৰ্ণা
ন্যন্যানি সংযাতি নবানি দেহী।"

ধৰ্ম্ম আৰু অধৰ্ম্ম কাৰ্য্যৰ ফল অনুৰূপে উদগতি অধোগতি আৰু কৰ্ম্মফলদাতা ঈশ্বৰ, এই কথা যিসকলে স্বীকাৰ নকৰি কেৱল মাথোন ক্ৰমবিকাশ আৰু ক্ৰমোন্নতি মানে, সেইসকলৰ কথা সুকীয়া; কিন্তু যিসকলে হিন্দুৰ আধ্যাত্মিক গভীৰ গৱেষণাৰ ফল হিন্দুশাস্ত্ৰ মানে, তেওঁলোকে স্বীকাৰ কৰিবই লাগিব যে জ্ঞানশূন্য পশুপক্ষী বৃক্ষাদিয়ে পূৰ্ব্ব জন্মকৃত পাপৰ নিমিত্তে নিকৃষ্ট যোনি ভোগ কৰি পাপ ক্ষয় কৰি উৎকৃষ্ট যোনি পাব পাৰে আৰু সেইদৰে মানুহ আৰু দেৱতা অপকৃষ্ট যোনিলৈ নামিবও পাৰে।

নলকুবেৰ আৰু মণিগ্ৰীৱই বৃক্ষদেহ পৰিত্যাগ কৰি সূক্ষ্ম শৰীৰ প্ৰাপ্ত হৈ শ্ৰীকৃষ্ণৰ আগত কৰযোৰ কৰি স্তুতি কৰিছিল আৰু সেই স্তুতি শ্ৰীকৃষ্ণই শুনিছিল। আনে তেওঁলোকক দেখা নাছিল আৰু সেই স্তুতি শুনা নাছিল। সূক্ষ্ম শৰীৰধাৰীৰ সূক্ষ্ম কথা স্থূল দেহধাৰী জড় ইন্দ্ৰিয়যুক্ত মানুহে শুনিবই বা কেনেকৈ? আমাৰ কাণৰ নিচিনা কাণ নাথাকিও যি শুনে, চকু নাথাকিও যি দেখে, সেই লীলা বিগ্ৰহধাৰী বিদ্ঘন পৰমানন্দ শ্ৰীকৃষ্ণই সেই কথা শুনিবলৈ পাইছিল আৰু যোগবলেৰে বেদব্যাসে

সেই কথা জানি লেখিলে। অন্তৰ্য্যামী শ্ৰীকৃষ্ণৰ বাহিৰে সূক্ষ্ম শৰীৰী নলকুবেৰৰ কথা কোনে শুনিব, আৰু পৰিচিত্তজ্ঞ যোগী বেদব্যাসৰ বাহিৰে সেই ঘটনা কোনে জানিব ?

গোবৰ্দ্ধনধাৰী শ্ৰীকৃষ্ণ

দেৱতাসকল ঈশ্বৰ নহয়, শ্ৰেষ্ঠ জীৱ মাথোন। মানুহেই সৎ কাৰ্য্যৰ দ্বাৰাই ক্ৰমোন্নতি কৰি দেৱতাৰ পদ লাভ কৰিছে আৰু কৰিব পাৰে। তেওঁলোকো সেইদেখি ঈশ্বৰৰ মায়াবন্ধনত বদ্ধ। তেওঁলোক শ্ৰেষ্ঠ জীৱ বুলি আমাৰ নমস্য। তেওঁলোকৰ গাতও ৰাগ, মোহ, দ্বেষ, মাৎসৰ্য্য আদি কম-বেছি ৰকমে আছে। এই পৃথিৱীতে আমি দেখিবলৈ পাওঁ, যাক আমি সামাজিক অৱস্থাত জ্ঞান, বিদ্যা, বুদ্ধি আদিত শ্ৰেষ্ঠ শ্ৰেণীৰ মানুহ বুলি জানো, তেওঁলোকৰ গাতো সময় মতে এই প্ৰবৃত্তিবোৰ ফুটি ওলায়। ঈশ্বৰৰ বিশ্বৰাজ্য চলাবৰ নিমিত্তে সকলোৰে প্ৰয়োজন। মানুহতকৈ ওখ খাপৰ দেৱতাসকলৰো আৱশ্যকতা আছে। মানুহৰ পৰা আৰম্ভ কৰি ঈশ্বৰৰ ওচৰলৈকে খোপে খোপে ওখ অৱস্থাপন্ন দেৱতা বিষয়াসকল জগৎ-যন্ত্ৰীৰ জগৎযন্ত্ৰ চলাবৰ নিমিত্তে আছে। ইমূৰে মানুহ আৰু সিমূৰে ঈশ্বৰ, মাজত শূণ্য, এই ধাৰণাৰ যুক্তি নাই। পৃথিৱীতে দেখা যায় ৰজা আৰু প্ৰজাৰ মাজত ৰজাৰ ৰাজ্য পৰিচালক কাৰ্য্যকাৰক এইদৰে মহামন্ত্ৰী, আৰু ৰাজপ্ৰতিনিধিৰ পৰা টেকেলা পিয়দালৈকে আছে ; আৰু ৰাজকাৰ্য্য সুচাৰুৰূপে নিৰ্ব্বাহ হবৰ নিমিত্তে এই প্ৰণালী আৱশ্যকীয়। কোনো দুখীয়া প্ৰজাই যদি নিজৰ দুখ-নিবেদন কৰিবৰ নিমিত্তে একেবাৰেই ৰজাৰ কাষত দৰ্খাস্ত পেচ কৰিব খোজে, তেন্তে মাজৰ বিষয়াসকলে তেনে কৰিব নিদিয়ে আৰু পদে পদে সেইজনক বাধা প্ৰদান কৰে। কাৰণ তেওঁলোক ৰজাৰ ৰাজ্য শাসন প্ৰণালীৰ ৰক্ষক। কিন্তু কোনো "নাছোৰবান্দা" প্ৰজাই যদি মৰোঁ মৰোঁ-জীওঁ সোঁ-আধি কৰি নানা প্ৰযত্ন কৰি কেনেবাকৈ তেওঁৰ প্ৰকৃত দুখৰ কথা ৰজাৰ কাণত পেলাব পাৰে, তেন্তে দয়ালু ৰজাই তেওঁৰ দুখ মোচন এক মুহূৰ্ত্ততে কৰে। আগৰ দিনৰ সম্ৰাটসকলে ৰাজ্যপৰিচালন যন্ত্ৰ সম্পূৰ্ণৰূপে চলি থকা স্বত্বেও, ভেশছন কৰি ৰাতি দুখীয়া প্ৰজাৰ ঘৰে ঘৰে সোমাই, সিহঁতৰ সৈতে মিলি সিহঁতৰ অভাৱ দুখ-কষ্ট জানিবুজি লৈ সেই দুখকষ্ট বিমোচন কৰাৰ কথা ইতিহাস বুৰঞ্জীৰ পাতত অনেক লেখা আছে। কলিকতালৈ আমাৰ সম্ৰাট পঞ্চম জৰ্জ্জ আহোঁতে, তেওঁৰ ওচৰলৈ দুখীয়া প্ৰজাক আগবাঢ়ি যাব নিদিয়াকৈ ৰাখোঁতা তেওঁৰ বিষয়াসকলক ঠেলি তেওঁ কেইবাবেলিও তেওঁৰ প্ৰজাৰ সমুখ হৈ প্ৰজাৰ অভাৱ-অভিযোগ শুনাৰ কথা অনেকে জানে। ইয়াৰ দ্বাৰাই তেওঁ এনেটো বুজোৱা নাছিল যে তেওঁৰ ৰাজ্যৰ নিয়ম ভঙ্গ কৰি, তেওঁৰ বিষয়াসকলক অমান্য কৰি প্ৰজাই 'একদম' তেওঁৰ কাষ পাব লাগে, আৰু মাথোন তেওঁকহে মানিব লাগে। ঈশ্বৰৰো এনে ইচ্ছা নহয় যে তেওঁৰ দেৱতা কাৰ্য্যকাৰকসকলক অমৰ্য্যাদা কৰি বিশ্বৰাজ্যৰ নিয়ম উলংঘা কৰি সকলো মানুহ তেওঁৰ ওচৰলৈ পোনবাটে লৰিব লাগিব। কিন্তু তেওঁৰ যিসকল প্ৰজা বা ভক্তই তেওঁৰ বিষয়া দেৱতাসকলে দিব পৰা ধন, সম্পদ, ঐশ্বৰ্য্য বিভূতি, আনকি স্বৰ্গসুখো নিবিচাৰি, মাথোন একান্ত ভাৱে তেওঁৰ পাদ-পদ্ম সেৱা-সুখহে বিচাৰে, সেই-সকলে যে অনাহকতে মাজতে দেৱতাসকলক সন্তুষ্ট কৰি সময় নিয়াই, বাধা পাই, আচল কাৰ্য্য লাভৰ পৰা বঞ্চিত হব বা বিলম্বিত হৈ থাকিব, কৃপালু পৰমেশ্বৰৰ তেনে ইচ্ছা নহয়। সেইদেখি সংসাৰত একান্ত নিস্পৃহ ভকতক তেওঁ তেওঁৰ ওচৰলৈ বিনাপ্ৰতিবন্ধকে একেবাৰেই যাবলৈ পাৰ-পত্ৰ দিছে। যি এই সংসাৰৰ সকলো সুবিধা লাভ বিচাৰে, তেওঁ বটুক ভৈৰৱৰে পৰা আৰম্ভ কৰি ব্ৰহ্মাওলৈকে পূজা কৰি আৰু সেই অনুসাৰে সেই সংসাৰীযে ফল ভোগ কৰি গৈ থাওক, তেওঁ প্ৰত্যেক নিয়ম পালন কৰক, নিয়ম ভঙ্গ কৰিলে দণ্ডিত হওক। সেইদেখি শাস্ত্ৰত কৈছে :—

> "অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ
> জানিবাহা হৈবেক নিশ্চয়।
> পৰম বিৰক্ত যিটো কৃষ্ণৰ ভকত ভৈল
> তাৰ একো নাহিকে নিৰ্ণয়।"

অবিৰক্ত মানে সংসাৰী অৰ্থাৎ সংসাৰ ৰাজ্যত থামি পুতি বাস কৰি থকা বা থাকিব খোজা ধন, সম্পদ, জন পৰিবাৰেৰে সুখত থাকিব খোজা মানুহ। বেদ মানে, সংসাৰ চলাবৰ নিমিত্তে ঈশ্বৰৰ আইন সভাত যিবোৰ আইন "পাছ" হৈছে সেইবোৰ। পৰম বিৰক্ত মানে, যি সংসাৰৰ সুখ-সম্পদ একো নিবিচাৰে আৰু পালেও তাত তেওঁৰ প্ৰয়োজন নাই, নিৰ্লিপ্তভাৱে মাত্ৰ জীৱন যাত্ৰাৰ কৰ্ত্তব্য কৰি যায় সেইসকল।

এই বিৰক্ত ভক্তসকলে হৰিত শৰণ লৈ মাথোন হৰিৰ চৰিত্ৰ শ্ৰৱণ-কীৰ্ত্তন কৰি, দুৰ্ঘোৰ অপাৰ সংসাৰ অপ্ৰয়াসে তৰে।

> "হৰিত শৰণ লৈয়া যিটোজনে এ,
> হৰিৰ চৰিত্ৰ শ্ৰৱণ কীৰ্ত্তন কৰে।
> দুৰ্ঘোৰ অপাৰ সংসাৰ সাগৰ এ,
> সিটো মহাজনে অতি অপ্ৰয়াসে তৰে॥"

বিশ্ববাজ্যৰ বজাৰ আমোলা দেৱতাসকলৰ দায়িত্বত থকা বৰ্ণাশ্ৰমীসকলে নিশ্চয় বৰ্ণাশ্ৰম ধৰ্ম্ম প্ৰতি-পালন কৰি চলিবই লাগিব, নকৰিলে তেওঁলোক দোষী হব ; কিন্তু অকল হৰিনামকে সাৰ কৰি একান্ত মনে ধৰি লোৱাসকল এই নিয়মৰ বহিৰ্ভূত, ভগৱন্তৰ ৰাজ্য চলোৱা ডাঙৰ বিষয়া বুলি দেৱতা-সকলে তেওঁলোকৰ পৰা এটা চেলাম বা নমস্কাৰ পাবৰ মাথোন অধিকাৰী ।

"বৰ্ণাশ্ৰম ধৰ্ম্ম যত যাৰ যেন বিধি আছে
তাৰে সে কেৱল অধিকাৰ ।
হৰিনাম কীৰ্ত্তনত নাহিকে নিয়ম একো
এতেকেসে ধৰ্ম্ম মাজে সাৰ ॥"

যি হওক, আ.মালতন্ত্ৰৰ অঙ্গ প্ৰত্যঙ্গ আমোলা দেৱতা সকলোতো ঈশ্বৰৰ চাকৰহে আৰু তেওঁৰ প্ৰভাৱ অৰ্থাৎ মায়াৰ বান্ধোনৰ পৰা মুক্ত নহয়, সেইদেখি তেওঁলোকে নিজৰ ক্ষমতা ষোল অনা ৰক্ষা কৰিবৰ ঈপ্সা কৰে আৰু ঈশ্বৰৰ একান্ত সেৱকসকলে তেওঁলোকৰ প্ৰচলিত বিধিৰ পাকত নোসোমাই, পোনবাটে ভগৱন্তৰ কাষলৈ যোৱাত বা যাবলৈ ইচ্ছা কৰিলে কেতিয়াবা কেতিয়াবা দেৱতা-সকলে ক্ষুণ্ন হৈ খং কৰি নিজৰ সীমা পাহৰি, এনে ভকতক জব্দ কৰিবলৈ যায়, আৰু ফলত নিজেই জব্দ হৈ নিজৰ গালৈকে বিলাই বিপত্তি আনে ।

"ৰামকৃষ্ণ ভাবিতে ত্যজয় কালসাপে ।
হৰিভকতক দুখ দিবে কাৰ বাপে ॥"

ঘোষা

হৰিৰ একান্ত দাস বিশেষ পাৰ-পত্ৰ পোৱা বৃন্দাবনবাসী হৰিভক্তসকলক দেৱতাসকলে নুবুজি বা ভালকৈ বুজিব নোৱাৰি অথবা বুজিও নিজৰ ক্ষমতা মদিৰাত মত্ত হৈ আত্মবিস্মৃত হৈ বলেৰে নিজৰ শাসনলৈ আনিবলৈ গৈ এই বাবেই লাঞ্ছিত হৈছিল । আনৰ কথাকে নেলাগে দেৱতাসকলৰ আদি দেৱতা ব্ৰহ্মায়েই সেই বাটে চলি ঠেকা খাইছিল । অন্তত অখিল বিশ্বব্ৰহ্মাণ্ডপতি য়াৰ লোমকূপত একো-একোটি ব্ৰহ্মাণ্ডই ধূলিৰ বেণুৰ নিচিনাকৈ নৃত্য কৰিব লাগিছে "ৰোমবিবৰমহ কোটা কোটা অণ্ড ভাণ্ডৰ কৰু-সম বেণুঃ" এনে জনাক, তেওঁক বৃন্দাবনৰ ভক্তেৰে সৈতে পৰীক্ষা কৰিবলৈ গৈ ব্ৰহ্মাৰ কি বিপদ হৈছিল, সেই কথা শ্ৰীমদ্ভাগৱতত ব্ৰহ্মমোহন ঘটনাত বিবৃত হৈছে । ব্ৰহ্মাই ভাবিলে, যি গৰু আৰু গৰুৰখীয়া লৰাৰে সৈতে বৃন্দাবনত স্বচ্ছন্দে আহাৰ বিহাৰ কৰি ফুৰিছে এওঁলো কেনে ভগৱন্ত, এওঁক পৰীক্ষা কৰিয়েই চাওঁচোন । বিধিয়ে বিধিৰ শিকলিৰ ভিতৰেদিহে ভগৱন্তক দেখিছে, তাৰ বাহিৰলৈতো তেওঁ যাব পৰা নাই ; তেওঁৰ জ্ঞানৰ সীমা এইটো ব্ৰহ্মাণ্ডতেহে, যত তেওঁ সৃষ্টিকৰ্ত্তাৰ বিষয়খন খাইছে । অখিল ব্ৰহ্মাণ্ডপতিয়ে যে গোপশিশুৰ ৰূপ ধৰি প্ৰেমৰ ৰাজ্য আনন্দৰ ধাম বৃন্দাবনত আনন্দময় গোপবালাক আৰু গৰু-গাইসকলেৰে আনন্দলীলা কৰিছেহি, এইকেবা তেওঁৰ জ্ঞানে চুকি নেপালে ; সেইদেখি তেওঁ 'দবাৰ' চাল এটা চলালে, আৰু ফলত নিজেই বিপাণ্ডত পৰিবলগীয়া হল ।

"অনন্তৰে ব্ৰহ্মা আসি অঘ অসুৰৰ মোক্ষ
দেখি হুয়া পৰম বিস্মিত ।
বালক কৃষ্ণৰ আৰু মহিমা দেখিবো বুলি
সেই বেলা মিলিল তহিত ।
গোৰক্ষ দামুৰ চয় চুৰি কৰি যোগবলে
প্ৰবন্ধ কৰিয়া লুকাই থৈলা ।
চাওঁ আৰে কেনেমতে কৃষ্ণ খুজি পান্ত বুলি
ব্ৰহ্মা নিজ থানে চলি গৈলা ॥"

—দশম

ব্ৰহ্মাৰ কাণ্ড দেখি ঈষৎ হাস্য কৰি আনন্দময়ে আনন্দলীলা কৰিবৰ মন কৰিলে ।

"ব্ৰহ্মা যিৰা আছে থই যাওঁ যদি তাকে লই
নপাব আনন্দ সৃষ্টিকৰে ।
হেন বিমৰিষ কৰি আপুনি ভৈলন্ত হৰি
গোৰক্ষ দামুৰি নিৰন্তৰ ॥"—দশম

এবছৰৰ মূৰত (ব্ৰহ্মাৰ ক্ষণেক) ব্ৰহ্মাই, কৃষ্ণই গোৰক্ষ-দামুৰি বিহীন কি কৰিছে চাবলৈ আহিল।

"ব্ৰহ্মাৰ ক্ষণেক গৈল এক বৰিষেক ।
পুনৰপি আসি ব্ৰহ্মা দেখিলা প্ৰত্যেক ॥
পূৰ্ব্বৱতে শিশু সৱ মনে ক্ৰীড়া কৰি ।
বৎসচয় চৰান্তে আছন্ত দেৱ হৰি ॥
মিলিল মনত আসি বিধিৰ বিস্ময় ।
জানো আনিলন্ত সেই বৎস শিশুচয় ॥
এহি বুলি ব্ৰহ্মা পাছে গৈলা দবদবি।
দেখন্ত সমস্ত আছে শয়নত পৰি ॥
আৰে জানো কতো নিলে বুলি গণি চালে ।
যত থৈলা মানে গোটে গোটে লেখা পালে ॥
দুনাই দেখন্ত বিধি আসি তৈৰ হন্তে ।
এহিতো তত্তেক শিশু আছে গুৱলন্তে ॥
কৃষ্ণে ইটো গোৰক্ষ দামুৰি কৈত পালে ।
এহি বুলি ব্ৰহ্মা চিৰকাল গুণি চালে ॥
কোন সঁচা কোন মিছা নপাৱন্ত তত্ত্ব ।
মিলিল পৰম মোহ ব্ৰহ্মাৰ মনত ॥
একো সাৰ নিসাৰ নপাওঁ মনে গুণি ।

কৃষ্ণক মোহন্তে মোহ ভৈলন্ত আপুনি ॥
নিশবদ বিধি বুদ্ধি স্মিৰিতি টুটিল।
আপোনাৰ শৰে যেন আপুনি ফুটিল ॥

*

শুনিয়ো আশ্চৰ্য্য আৰু আত অনন্তৰে।
তথা দিয়া চাই যেবে আছে সৃষ্টিকৰে ॥
ব্ৰহ্মাৰ আগতে পাছে প্ৰভু নাৰায়ণে।
এৰিলন্ত যিটো সব মূৰ্ত্তিক তেক্ষণে ॥
ধৰিলন্ত নিজৰূপ পৰম ঈশ্বৰে।
নিৰীক্ষি আছন্ত তাক চাই সৃষ্টিকৰে ॥
শিঙা বাঁশী বেত যত বৎস বৎসপাল।
ভৈল কৃষ্ণ মূৰ্ত্তি সবে তৈত ততকাল॥

*

একো ব্ৰহ্মাণ্ডৰ চৰাচৰ লৈয়া আসি।
গায়ে গাযে একো ব্ৰহ্মা আছন্ত উপাসি॥

*

অনন্ত আনন্দ ৰস মাত্ৰ সব মূৰ্ত্তি।
কোটী সূৰ্য্য শশীৰ প্ৰকাশ সম জ্যোতি॥

*

ব্ৰহ্মা জ্যোতিৰ আসি লাগি চমৎকাৰ।
কম্পে তৰতৰি অতি শৰীৰ ব্ৰহ্মাৰ॥
ভৈল মহা মোহিত চেতন জ্ঞান নাই।
হংসতে পৰিল আঠো চক্ষু ওলোটাই ॥

*

যিটো প্ৰকৃতিত পৰ প্ৰভু ভগৱন্ত।
বেদান্তৰো মুখ্য ভাগে যাক প্ৰকাশন্ত ॥
নিজ ব্ৰহ্মৰূপ যিটো অতৰ্ক মহিমা।
তাক কি চক্ষুৰে চাইবাক পাৰে ব্ৰহ্মা॥
চিৰিকি চিৰিকি মাত্ৰ লৰে ধাতুখানি।
দেখন্ত মৰন্ত ব্ৰহ্মা পাছে চক্ৰপাণি ॥
কথমপি আছে প্ৰাণ নাইকে চেতন।
ব্ৰহ্মাৰ অৱস্থা দেখি হাসি নাৰায়ণ ॥
বিধাতাৰ প্ৰতি পাছে সম্পজিল দয়া।
কৰিল সঙ্কোচ কৃষ্ণে আপোনাৰ মায়া ॥
কৃষ্ণৰ কৃপাত স্মৃতি পাইলে কথমপি।
পিৰিকান্ত আখি অল্প পুনৰপি॥

*

চান্ত চতুৰ্ভিতি ভয়ে চকিত নয়ণ।
আগতে দেখিল পাছে দিব্য বৃন্দাবন॥

*

সিংহ বাঘ ছাগ গৰু ফুৰে এক পালে।
কৃষ্ণৰ প্ৰভাৱে কেওঁ কাহাকো নাখালে ॥

*

হেন বৃন্দাবন মধ্যে পাছে সৃষ্টিকৰে।
দেখন্ত আছন্ত মাত্ৰ কৃষ্ণ একেশ্বৰে ॥

*

গোৰক্ষ দামুৰি চাই ফুৰন্ত একলে।
ধৰিলন্ত আৰু নাট্য নন্দশিশু ছলে॥
দেখি দুনাই বিধাতাৰ উপজিল কম্প।
পৰিল হংসৰ পৰা বেগে দিয়া ঝাম্প ॥
কৃষ্ণৰ আগত পাছে হয়া লোটগোট।
পৰি আছে যেন সুবৰ্ণৰ দণ্ড গোট॥

*

কম্পে তৰতৰি তনু কৃতাঞ্জলি হই।
কৰিবে লাগিল পাছে স্তুতি চাৰি মুই ॥
ভয়েতে নাপান্ত খুজি কৃষ্ণৰ মহিমা।
গোপ শিশু ৰূপকে বৰ্ণাইবে লৈল ব্ৰহ্মা ॥"

—দশম।

"দেৱনাং প্ৰথম:" ব্ৰহ্মাই গোপশিশুৰূপী পৰম-ব্ৰহ্মক টুকুৰিবাই চালে, চাই হাৰিল। এটা ব্ৰহ্মাণ্ডৰ ব্ৰহ্মাই তেওঁৰ জ্ঞানৰ সীমাৰে কোটী কোটী বিশ্ব-ব্ৰহ্মাণ্ডৰ অধিকাৰীক জুখি চাবলৈ গৈছিল। চেনিৰ পুতলা এটাই মহাসমুদ্ৰৰ পানীৰ দ জুখিবলৈ গৈছিল।

ইন্দ্ৰ স্বভাৱতে ব্ৰহ্মাতকৈ লক্ষগুণে কম জ্ঞানৰ, কম শক্তিৰ। গতিকে তেওঁৰ প্ৰণালী যে ইয়াতকৈ অনেক গুণে নীহ আৰু কম বুদ্ধিৰ হব, তাত আশ্চাৰ্য্য কি? তেওঁ শাৰীৰিক বলেৰে, পশুৰ বলেৰে বৃন্দাবন ধ্বংস কৰিবলৈ গৈ পৰম-ব্ৰহ্মৰ বলৰ পৰীক্ষা কৰিবলৈ গৈছিল, সেইদেখি তেওঁৰ অৱস্থা আৰু শোচনীয় হৈ পৰিছিল। ইন্দ্ৰৰ মুখ ভঙ্গ, গোবৰ্দ্ধন পূজা আৰু গোবৰ্দ্ধন ধাৰণত এই সত্যৰ প্ৰকাশ।

(বাঁহী: ৮৮ বছৰ, ১২ শ সংখ্যা—১৮৩৯ শক)

বস্ত্ৰ-হৰণৰ শ্ৰীকৃষ্ণ

ভগৱন্ত শ্ৰীকৃষ্ণই গীতাত কৈছে—

যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈব ভজাম্যহম্।
মমবৰ্ত্মানুবৰ্ত্তন্তে মনুষ্যা: পাৰ্থ সৰ্ব্বশ: ॥

অৰ্থাৎ যি মোক যি ভাবে ভজে, তাক মই সেই ভাৱেই ভজোঁ। কাৰণ, মানুহে সৰ্ব্বপ্ৰকাৰে মোৰেই পথ অনুবৰ্ত্তন কৰে। কোনোৱে ভগৱন্তৰ ভজনা কামনা লৈ কৰে; কোনোৱে বা কামনাশূণ্য হৈ কৰে; ফলত যি যিভাৱেৰেই ভজক,—

"যতেক নদ নদী সমুদায় ।
অনেক পথে সাগৰক যায ॥"

সেইদৰে সকলোৱে ঈশ্বৰৰ বাটেদি যাবই লাগিব অৰ্থাৎ সকাম বা নিষ্কামৰ ফল তেওঁৰেই পৰাই পাবই লাগিব, আনৰ পৰা নহয় । যাৰ যেনে মতি, তাৰ তেনে গতি হবই । "যাদৃশী ভাবনা যস্য সিদ্ধির্ভবতিতাদৃশী ।" ঐহিক সুখ বাঞ্ছাকাৰীয়ে ঐহিক সুখকে পায়। পাৰলৌকিক সুখ বাঞ্ছাকাৰীয়ে পাৰলৌকিক সুখকে পায় । পাৰলৌকিক সুখ স্বৰ্গভোগও । কিন্তু মুক্তিকামীয়ে ঐহিক পাৰত্ৰিক দুইটা সুখকে ত্যাগ কৰি মুকুতি সুখ পায় । ভগৱন্তৰ ভক্ত প্ৰকৃত 'বস্তু লাভাকাঙ্ক্ষীয়ে মুক্তি-সুখকো তাচ্ছিল্য কৰি ঈশ্বৰৰ সেৱাসুখ বিচাৰে আৰু ভগৱন্তৰ অনুগ্ৰহত তেওঁলোকে তাকে পায়ো ।

একান্তিকোনো যস্য নকিঞ্চিনাৰ্থং
বাঞ্ছন্তু যে বৈ ভগবৎপ্ৰপন্নাঃ।
অত্যদ্ভুতং তচ্চৰিতং সুমঙ্গলমং।
গায়ন্তি আনন্দ সমুদ্ৰমগ্নাঃ ॥

"একান্ত ভকত যাৰা হয় কিছু অৰ্থ তাৰা নবাঞ্ছয়
মহা অদভুত হৰি গুণ নামময় ।
পৰম মঙ্গল কৃষ্ণ যশ যাত পৰে আন নাহি ৰস
পৰম আনন্দ সমুদ্ৰে মজ্জি ৰহয় ॥"
"ঐকান্তিক মহামুনি যত নিবৰ্ত্তিয়া বিধি নিষেধত,
নিৰ্গুণ ভাবত স্থিতি হয়া নিৰন্তৰে ।
জানি পুৰুষাৰ্থ সাৰতত্ত্ব কৃষ্ণকথামৃত সাগৰত
কথনে-মথনে সদায় ৰমণ কৰে ॥"

সুকুমাৰী ব্ৰজঙ্গনাসকলে শ্ৰীকৃষ্ণক পতিৰূপে পাবৰ নিমিত্তে পুৰা এমাহ সংযত থাকি কাত্যায়নীৰ পূজা কৰিছিল। ভগৱন্তই তেওঁলোকৰ যৎকিঞ্চিৎ চিত্তমালিন্য দেখি ৰাসলীলাৰ অযোগ্য ভাবি আৰু এবছৰৰ সময় দি তেওঁলোকক প্ৰত্যাখ্যান কৰিছিল । গোপীসকলৰ বস্ত্ৰহৰণ লীলাত এই কথাকে দেখুৱা হৈছে । যিদিনা ব্ৰজকুমাৰিকা-সকলৰ ব্ৰত পূৰ্ণ হল, সেই দিনাই তেওঁলোকে যমুনালৈ গৈ পাৰত নিজৰ নিজৰ বস্ত্ৰ থৈ বিবস্ত্ৰাৰ-স্থাত যমুনাত নামি স্নান কৰিছিল। ভগৱন্ত শ্ৰীকৃষ্ণই তেওঁলোকৰ প্ৰেমৰ পৰীক্ষা কৰিবৰ নিমিত্তে মনে মনে তালৈ আহি তীৰস্থ বস্ত্ৰবোৰ হৰণ কৰি ওচৰতে থকা কদম্ব গছত উঠিল । গোপীসকলেৰে সৈতে শ্ৰীকৃষ্ণ এনে পৰিহাস মিছা ধেমালিও নহয় অথবা লৌকিক ক্ৰীড়াও নহয় । ই তত্ত্বজ্ঞানৰ চূড়ান্ত উপদেশ। শ্ৰুতিত আছে, "পতিপতিনাং পৰমং মহেশ্বৰং" পৰম ব্ৰহ্মক পতি অৰ্থাৎ ৰক্ষক স্বৰূপে পাবলৈ হলে, তেওঁৰ দ্বিতীয় বস্তুত মন নিবিষ্ট হলেই জীৱৰ সংসাৰ বন্ধন হয় । যেতিয়ালৈকে দ্বিতীয় জ্ঞান থাকে, তেতিয়ালৈকে লজ্জাও থাকে । সেইদেখি বস্ত্ৰাবৰণৰ আৱশ্যক হয় । দ্বিতীয় জ্ঞান দূৰ হলে অৰ্থাৎ সকলে ব্ৰহ্মময় বিবেচনা হলে আৰু লাজো নাথাকে, বস্ত্ৰাবৰণৰ আৱশ্যকতাও নাথাকে । এই বাবেই—

"হয়া দেৱ দিগম্বৰ ভস্মে বিভুষিত অঙ্গ
শিৰত ধৰিয়া জটাভাৰ,
মহেশে সেৱন্ত যাক হেন হৰি বিনে আন
কোন শ্ৰেষ্ঠ দেৱ আছে আৰ ।"

এই বাবেই ব্যাসৰ পুতেক শুকদেৱ উলঙ্গ হৈ ফুৰিছিল আৰু ব্যাসে—

"পুত্ৰেতি তন্ময়াতয়া" হৈ পাছে পাছে গৈছিল দেখি—"তৰবো বদন্তি"—পিতা। পিতা। এই বাবেই সনকাদি চাৰি সিদ্ধ—

"ব্ৰহ্মাৰ মানস চাৰি তনয় ।
ভ্ৰমন্ত আকাশে আনন্দময় ॥
পঞ্চ বৰষীয়া শিশু সঙ্কাশ।
নাহিকে বস্ত্ৰ সবে দিগবাস ॥"

এই বাবেই অবধূত জড়ভৰত উলঙ্গ আছিল । ইয়াৰ কাৰণ, তেওঁলোকৰ দ্বিতীয় জ্ঞান নাছিল, লাজো নাছিল, সেইদেখি বস্ত্ৰবো আৱশ্যকতা নাছিল আৰু সেই বাবে তেওঁলোকক অসভ্য বুলি কোনেও অৱজ্ঞাও কৰা নাছিল। শ্ৰীকৃষ্ণই গোপীসকলক অনুগ্ৰহ কৰি অদ্বয় জ্ঞানৰ উপদেশ দিবৰ নিমিত্তেই তেওঁলোকৰ বস্ত্ৰহৰণ কৰিছিল । শুকদেৱ সনক, সনন্দই নিজৰ ইচ্ছাতে বস্ত্ৰ পৰিত্যাগ কৰা নাছিল । ভক্তবৎসল ভগৱন্তই কৃপা কৰিয়েই তেওঁলোকৰ বস্ত্ৰৰূপী মায়াবৰণ হৰণ কৰিছিল । জীৱই অদ্বিতীয় ঈশ্বৰৰ মায়াত মুগ্ধ হৈ দ্বিতীয় জ্ঞানৰ নিমিত্তে বস্ত্ৰ গ্ৰহণ কৰে আৰু ঈশ্বৰৰ অনুগ্ৰহত সেই মায়াবন্ধন কাটি গলেই বস্ত্ৰ বা পাৰ্থিব আশামতে আবৰণ ত্যাগ কৰে ।

ভগৱন্ত শ্ৰীকৃষ্ণই তেওঁৰ প্ৰিয় গোপীসকলক এই অমূল্য তত্ত্বোপদেশ দিবৰ নিমিত্তেই তেওঁলোকৰ বস্ত্ৰহৰণ কৰি কদম্ব গছত উঠি তেওঁলোকক কৈছিল,—"তোমালোকে এই কদম্ব তললৈ আহি নিজৰ নিজৰ বস্ত্ৰ নৈ যোৱাহঁক ।" গোপীসকলৰ তেতিয়াও দ্বিতীয় জ্ঞান সম্পূৰ্ণৰূপে বিনষ্ট হোৱা নাছিল ; সেইদেখি তেওঁলোক লাজতে পাৰলৈ উঠি কাপোৰ খুজি লব নোৱাৰিছিল । পৰমপতি শ্ৰীকৃষ্ণক লাজ কৰি যে গোপীসকলে তেনে কৰিছিল এনে নহয়। তেওঁলোকৰ লাজ লাগিছিল,

আলোচা আন কোনোবাই তেনে অৱস্থাত তেওঁলোকক দেখে। এই বাবেই শ্ৰীকৃষ্ণই তেওঁলোকক কলে— "হে অবলাসকল! তোমালোকে যি নিমিত্তে কাত্যায়নী ব্ৰত কৰিলাহঁক, সেইটো মই বুজিব পাৰিছোঁ। মোৰে সৈতে বিহাৰেই তোমালোকৰ মনোগত বাঞ্ছা। কিন্তু এতিয়াও সেই সময় অহা নাই। এতেকে তোমালোক ঘৰলৈ উভতি যোৱাঁ। অৰ্থাৎ পতিৰ পতিক লাভ কৰিবৰ উপযুক্ত মনৰ নিৰ্ম্মলতা এতিয়াও তোমালোকৰ হোৱা নাই। এতেকে এতিয়া তোমালোক ঘৰলৈ উভতি যোৱাহঁক। এবছৰৰ পিছত তোমালোকে মোক পাব পাৰিবা।"

অবিদ্যা বা মায়াই ঈশ্বৰবিমুখ জীৱৰ হৃদয় অধিকাৰ কৰে। ফলত অনাত্মা দেহত আত্মাবুদ্ধি হয়। তাৰ ফলত ৰাগ, দ্বেষ, লজ্জা ইত্যাদি বন্ধনৰ কাৰণবোৰ। মায়াৰ পৰাই জীৱৰ বিষম-বুদ্ধি হয়। বিষম-বুদ্ধিৰ পৰাই লজ্জা। ঈশ্বৰৰ শৰণাগত নহলে, জীৱই মায়াৰ বন্ধন কটাব নোৱাৰে। মহাপুৰুষে বৰগীতত সেইদেখি কৈছে,

"হৰিৰ মায়াৰ ফান্দে জীৱ ভৈল বন্দী।
ই তিনি ভুবনে পলাইবাৰ নাহি সন্ধি॥
শুণি চোৱা মন তুমি এৰাইবাক মনে।
ফান্দোৱাল গোবিন্দৰ ধৰিয়ো চৰণে॥"

অৰ্থাৎ যি মায়াৰ ফান্দ পাতিছে, তেওঁৰে দুখানি চৰণত ধৰি তুমি প্ৰাৰ্থনা কৰা যেন তেওঁ সেই মায়াৰ ফান্দৰ পৰা তোমাক বিমুক্ত কৰি দিয়ে। সেইদেখি মহাপুৰুষে বাৰে বাৰে কৈছে,

"যাৰ মায়া পাশে বন্দী হৈয়াছ পামৰ মন,
তান দুই চৰণত ধৰ ৰে পামৰ মন,
তাই দুই চৰণত ধৰ॥"

গীতাত ভগৱন্তয়ো নিজ মুখেৰেই উপদেশ দিছে,

দৈবী হ্যেষা গুণময়ী মম মায়া দুৰত্যয়া।
মামেব যে প্ৰপদ্যন্তে মায়ামেতাং তৰন্তি তে॥

অৰ্থাৎ মোৰ দৈবী গুণময়ী মায়া অত্যন্ত দুৰ্জ্জয়। যি মোৰ শৰণাগত হয় সিয়েই মায়াৰ হাতৰ পৰা সাৰিব পাৰে। গোপীসকলে শ্ৰীকৃষ্ণক পতি অৰ্থাৎ সৰ্ব্বতোভাৱে ৰক্ষকৰূপেই পাবৰ নিমিত্তে কাত্যায়নীৰ পূজা কৰিছিল কিন্তু এই সময়লৈকে তেওঁলোকৰ ভেদ দৰ্শন মায়া সম্পূৰ্ণৰূপে বিনষ্ট হোৱা নাছিল। মায়া সম্পূৰ্ণৰূপে বিনষ্ট নহলে পৰমানন্দ শ্ৰীকৃষ্ণ ভগৱন্তৰে সৈতে জীৱৰ সন্মিলন হব নোৱাৰে। সেই নিমিত্তেই শ্ৰীকৃষ্ণই তেওঁলোকৰ মায়াময় ভেদজ্ঞান ক্ষয় হবৰ নিমিত্তে তেওঁলোকক এবছৰ সময় দিছিল। এই বছৰৰ কালত গোপীসকলে পৰমাত্মা পৰমপতি শ্ৰীকৃষ্ণক ভাবোঁতে ভাবোঁতে যেতিয়া ভেদজ্ঞান লোপ হৈ ঈশ্বৰেৰে সৈতে তেওঁলোকৰ অদ্বৈত জ্ঞানতত্ত্বৰ সম্পূৰ্ণৰূপে উদ্বোধন হল, তেতিয়া ঈশ্বৰে তেওঁলোকক আপুনি বংশীধ্বনিৰে আহ্বান কৰিলে। ত্ৰিগুণময়ী মায়া সম্পূৰ্ণৰূপে বিনষ্ট হলে, জীৱ বিশুদ্ধ হৈ পৰা প্ৰকৃতিত পৰিণত হয় আৰু তেতিয়া আনন্দময় ভগৱন্তৰে সৈতে আলিঙ্গিত হৈ নিত্যানন্দ উপভোগ কৰে। এখুদমানো মায়াৰ সম্পৰ্ক থাকিলে জীৱৰ কৃষ্ণালিঙ্গন অৰ্থাৎ সচ্চিদানন্দ শ্ৰীকৃষ্ণৰে সৈতে বিহাৰ হব নোৱাৰে। যাৰ মায়াৰ সম্বন্ধ আছে তাৰেই ভেদজ্ঞান থাকিব। মায়াতীত মানুহৰ—তিৰুতাই হওক, বা পুৰুষেই হওক, গোপনীয় একো নাই।

গোপীসকলৰ তেতিয়াও মায়াৰ ক্ষয় সম্পূৰ্ণ নহৈ অলপ বাকী আছিল দেখি শ্ৰীকৃষ্ণই তেওঁলোকক প্ৰস্তুত হবলৈ এবছৰ সময় দি ঘৰলৈ উভতি যাবলৈ কলে। দকৈ গমি চালে স্পষ্টকৈ দেখিবলৈ পোৱা যায় যে বস্ত্ৰহৰণ লীলাৰ ভিতৰত অশ্লীলতা বা কদৰ্য্যতা একো নাই; আছে মাথোন পৰমতত্ত্ব আৰু ঈশ্বৰ-প্ৰেমৰ কথা। তিৰুতাই পুৰুষক ৰমণৰ নিমিত্তে স্বয়ং প্ৰাৰ্থনা কৰিছে, কিন্তু পুৰুষে তাত অসন্মতি প্ৰকাশ কৰিছে, কামৰ অধিকাৰৰ ভিতৰত এনেকুৱা কৰবাত দেখা যায় নে? বস্ত্ৰ-হৰণলীলা চঞ্চল লবাৰ ধেমালিও নহয়; ই পৰম নিগূঢ় তত্ত্ব, ঈশ্বৰৰ দ্বাৰাই ভক্তৰ চৰম পৰীক্ষা।

ৰাস-লীলাৰ শ্ৰীকৃষ্ণ

শ্ৰীমদ্ভাগৱতত শ্ৰীকৃষ্ণৰ ৰাসলীলা এটা গভীৰ আধ্যাত্মিক তত্ত্বপূৰ্ণ কথা। ন-বিধ ভক্তিৰে ভগৱন্ত-বস্তুক ভক্তি কৰাৰ প্ৰণালী আৰু উদাহৰণ ভাগৱতে দেখুৱাইছে। ভগৱন্ত-বস্তুত আত্মসমৰ্পণ ভক্তিৰ যাক বৈষ্ণৱশাস্ত্ৰই মাধুৰ্য্য ভাৱৰ ভক্তি বোলে, তাৰ আধ্যাত্মিক ব্যাখ্যা ৰাসলীলা। ৰাস শক্তিতত্ত্বৰ বিকাশ নহয়, ভক্তি তত্ত্বৰ বিকাশ। যাক উপনিষদত "ৰসো বৈ সঃ" "সচ্চিদানন্দম্" "সত্যং শিৱং সুন্দৰং" বুলিছে, সেই অনন্ত সুন্দৰৰ প্ৰেমত ভক্তই আত্মহাৰা হৈ সৰ্ব্বস্ব সমৰ্পণ কৰাই এই ভক্তি; এয়েই ভগৱন্তৰ ৰাসলীলা। সুন্দৰ সংসাৰত মানুহে সৌন্দৰ্য্য সম্ভোগ কৰোঁতে কৰোঁতে "অহং" সৰ্ব্বতোভাৱে বিসৰ্জ্জন কৰি প্ৰেমময় চিৰসুন্দৰত আত্মসমৰ্পণ কৰাই এই ভক্তি। গোপীসকলৰ তন্ময় কৃষ্ণ প্ৰেমত এই ভক্তিৰ বিকাশ। বৃন্দাৰ অৱন অৰ্থাৎ আনন্দৰ ৰক্ষণ স্থান বৃন্দাবন আনন্দময় পৰমপুৰুষ পৰমাত্মাৰ প্ৰতি মধুৰ ভক্তি বিকাশৰ যোগ্য ক্ষেত্ৰ। তিৰুতাই

সকলো পৰিত্যাগ কৰিব পাৰে, কিন্তু লজ্জা ত্যাগ কৰিব নোৱাৰে। বৃন্দাবনৰ ভক্ত গোপিনীসকলে পতি-পুত্ৰাদি বসন-ভূষণ লজ্জা সকলো ত্যাগ কৰি সেই পৰমাত্মাক আত্মসমৰ্পণ কৰিছিল। বাস্তৱিক তেনে নকৰিলে জানো এই ভক্তি সম্পূৰ্ণ হয়? পৰমাত্মা যদি আত্মাৰো আত্মা নিজৰ জীৱনৰো জীৱন, পতি পুত্ৰ বিত্ত আৰু সকলো সংসাৰতকৈও আপোন, তেওঁ তোমাৰ অন্তৰ বাহিৰ সকলো দেখিছে, সকলোতে আছে আৰু যদি তুমি প্ৰকৃত ভক্তৰ দৰে সেইটো সৰ্ব্বতোভাৱে উপলব্ধি কৰিছা, তেওঁৰে সৈতে তুমি "সোহহং" ভাৱে তন্ময় অগদ হৈ তোমাৰ জীৱনত তাক সত্য কৰিব খুজিছা, তেন্তে তোমাৰ হৃদয়-বৃন্দাবনত তোমাৰে সৈতে পৰম ব্ৰহ্ম "ৰসো বৈ সঃ" পৰমাত্মাৰ ৰাসলীলা হবই লাগিব। ৰসস্বৰূপ পৰমাত্মাগত প্ৰাণ, পৰমাত্মাগত ধ্যান, এই "ৰসময়ী ভকতিৰ" তত্ত্ব প্ৰকৃতপক্ষে হৃদয়ঙ্গম কৰিলেহে কৃষ্ণগত প্ৰাণ, কৃষ্ণগত ধ্যান গোপীসকলৰ শ্ৰেষ্ঠাতিশ্ৰেষ্ঠ ৰসময়ী ভকতিৰ মৰ্ম্ম বুজিব পাৰি। কামুক সাংসাৰিকতাত চকু অন্ধ, হৃদয় দুৰ্ব্বলসকলে শ্ৰীমদ্ভাগৱত বৰ্ণিত এই সুগভীৰ ভক্তিতত্বৰ ৰহস্য বুজিব নোৱাৰে। তেওঁলোকৰ মনত এই ৰাসলীলা ঘৃণিত কাম প্ৰবৃত্তি চৰিতাৰ্থৰ খেলা বুলি প্ৰতিভাত হয়। ৰসস্বৰূপ পৰ-ব্ৰহ্মৰ লীলাৰ কণিকা মাত্ৰ অনুভৱ আৰু উপভোগ কৰি কৃতাৰ্থ হোৱা ভক্ত শ্ৰেষ্ঠ উদ্ধৱ, নাৰদ আদিৰ অনুভূতি, হৃদয় আৰু মন, এই পৰমতত্ত্ব বুজিবৰ নিমিত্তে আৱশ্যক।

পৰমাত্মা পৰমব্ৰহ্মতকৈ নিজৰ জন কোন আছে? পৰমাত্মা জীৱাত্মাৰ এই পাৰ্থিৱ প্ৰাণতোকৈও আপোন, পাৰ্থিৱ সম্বন্ধযুক্ত পতি-পুত্ৰ পিতৃ-মাতৃতকৈও আপোন। তেওঁত সৰ্ব্বতোভাৱে আত্মসমৰ্পণ কৰাটো পাৰ্থিৱ স্বামী-স্ত্ৰীৰ সম্বন্ধৰে সৈতে কদাপি বিৰোধী নহয়, বৰং নকৰাটোহে বিৰোধী। কূটস্থ হিৰণ্যগৰ্ভ, হৃদয়স্থিত, হিয়াৰ ধন পৰমেশ্বৰ আৰু তেওঁত তন্ময় হোৱা ভক্তৰ মাজত আৱৰণ থাকিব নোৱাৰে। থাকিলে আৰু এক ধনিটোমানো ব্যৱধান থাকিলে, সম্পূৰ্ণ আত্মসমৰ্পণ নঘটে। তেওঁক নিৰৱচ্ছিন্নভাৱে পাব নোৱাৰি, প্ৰকৃত ভকতি নিসিজে। এই কাৰণেই পৰমেশ্বৰে একান্ত ভকত বৃন্দাবনৰ গোপীসকলৰ [illegible] বস্ত্ৰহৰণ কৰিছিল। বস্ত্ৰহৰণ লীলাৰ [illegible] তত্ত্ব নিগূঢ় মৰ্ম্ম নুবুজাসকলৰ চকুত সেইটো নীতিবিৰুদ্ধ যেন লাগিবই। তেনেলোকৰ পক্ষে, ভাগৱতৰ এই কৃষ্ণলীলাৰ মৰ্ম্ম বুজা অসাধ্য। বাইবেলত বৰ্ণিত এডেন্ আৰু ইভৰ বস্ত্ৰৰ আৱশ্যকতা হৈছিল কেতিয়া? যেতিয়া তেওঁলোক ঈশ্বৰৰ স্বৰ্গৰাজ্যৰ পৰা ঈশ্বৰৰ পৰা বিচ্যুত হবৰ অৱস্থাত উপস্থিত হৈছিল। সনক সনাতন আদি চাৰি সিদ্ধ ঈশ্বৰ কৃষ্ণৰ সান্নিধ্যত "নাহিকে বস্ত্ৰ সবে দিগবাস।" শ্ৰীমদ্ভাগৱতকাৰ ব্যাসদেৱ এনে নীতিজ্ঞান বিবৰ্জ্জিত বা চৰিত্ৰহীন নাছিল যে বস্ত্ৰহৰণ আৰু ৰাসলীলাৰ নিচিনা এনে দুটা ঘটনাৰ এনে বিশদ বৰ্ণনা পাৰ্থিৱ ভাৱে তেওঁৰ ৰচিত শাস্ত্ৰত দি তাক কলুষিত কৰিছিল? আৰু ব্ৰহ্মচাৰী মহাজ্ঞানী সংসাৰ নিলিপ্ত শুকদেৱ এনে নীতিজ্ঞানহীন আছিল নে যে মৃত্যুকালৰ সন্মুখ হোৱা পৰীক্ষিতক তেনে বিবৰণকে বিশদভাৱে শুনাই ভৱসংসাৰ বিমুক্ত কৰিছিল? ঈশ্বৰৰ এই লীলাৰ গভীৰতত্ত্ব যে ঈশ্বৰভক্ত নোহোৱাই প্ৰকৃতভাৱে বুজিব নোৱাৰে, সেইটো ব্যাসদেৱে স্পষ্টকৈ জানিছিল। সেইদেখি তেওঁ সেই কথা ভাগৱত বুজাৰ সম্পৰ্কে কৈছিল—

"অহং বেদ, শুকো বেদ, বিদুৰো বেদ বা নবা।
ভক্ত্যা ভাগৱতং বেত্তি ন বুদ্ধ্যা ন চ টিকয়া॥"

সন্ন্যাস ধৰ্ম্মাৱলম্বী শ্ৰীচৈতন্যদেৱ এনে নীতিজ্ঞানহীন আছিল নে যে শ্ৰীকৃষ্ণৰ এই লীলাৰ অমৃত পানত নিমগন হৈছিল? মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ এনে চৰিত্ৰহীন আছিল নে যে তেওঁৰ কীৰ্ত্তনত ৰাসলীলাৰ ঘটনা আজিকালি সৰ্ব্বসাধাৰণ অভক্তই বুঢ়াদি বুজিবলৈ তাত তেওঁ সমাবেশ কৰিছিল? মহাপুৰুষ চিৰকৌমাৰ্য্য ব্ৰতাৱলম্বী মাধৱদেৱে কেনে ভাৱত ৰাসলীলা বুজিছিল? নৈতিকতা বিৰুদ্ধ অৰ্থত তেওঁ বুজিছিল বুলি কোনোবাই ভাবিবও পাৰে নে? পৰমভক্ত মহাপুৰুষ দামোদৰদেৱৰ পন্থৰ দক্ষিণপাট সত্ৰত আজিও ৰাসলীলাৰ অনুপম অভিনয় হয়। ভক্তই তাৰ পৰা অমৃত পান কৰি অমৰ হয় আৰু অভক্ত পল্লৱগ্ৰাহী কামুকে গৰল পান কৰি মৃত্যুৰ মুখত পৰে। একেটা ফুলৰে মৌ কোঁদো বৰলে আনি বিহৰ ভঁৰাল বান্ধে আৰু মৌ-মাখিয়ে আনি মৌ কোঁহ প্ৰস্তুত কৰে।

ভগৱদ্ভক্তিত যাৰ মন মথিত হোৱা নাই, ৰাসলীলাৰ কথা শুনি যে সি বিমোৰত পৰিব তাত সন্দেহ নাই। আন নেলাগে ভক্তি বহিত থপি থপি মন নিৰ্ম্মল হৈ আহি থকা পৰীক্ষিতৰে এনে সন্দেহ মনত উপস্থিত হৈছিল। শ্ৰীমদ্ভাগৱতৰ ৩৩ অধ্যায়ৰ ৩৪-৩৯ শ্লোকলৈকে মন দি পঢ়িলেই ইয়াৰ সত্যতা পোৱা যায়। ৰজা পৰীক্ষিতে শুকক সুধিলে,—"হে মুনি! ধৰ্ম্মৰ সংস্থাপন আৰু অধৰ্ম্মৰ দণ্ডবিধান কৰিবৰ নিমিত্তেই জগদীশ্বৰ ভগৱন্ত পৃথিৱীত অৱতাৰ হয়। তেওঁ ধৰ্ম্মসেতুৰ বক্তা আৰু কৰ্ত্তা হৈ কেনেকৈ পৰদাৰ সম্ভোগৰূপ অধৰ্ম্মৰ অনুষ্ঠান কৰিলে? তেওঁ আপ্তকাম, তথাপি তেওঁৰ

এনে নিন্দনীয় আচৰণৰ অভিপ্ৰায় কি? মোৰ এই সংশয় ছেদন কৰক।" শুকে উত্তৰ দিলে,— "তেজস্বীৰ ইয়াত দোষ নহয়। অগ্নিয়ে যেনেকৈ সকলোকে ভোজন কৰে, তেনেকৈ ঈশ্বৰক কোনো বিষয়ত দোষে নোছোৱে। যি ঈশ্বৰ নহয়, সি এনে আচৰণ নকৰিব। ৰুদ্ৰৰ বাহিৰে, আনে মূৰ্খামি কৰি বিষ খালে মৰি যায়। ঈশ্বৰৰ বাক্য সত্য। ঈশ্বৰে যি কয়, যাৰ বুদ্ধি আছে সি তাকে আচৰণ কৰিব। ঈশ্বৰৰ আহিত আচৰণ তেওঁলোকে নকৰে আৰু কৰাটো ঠিক নহয়। ঈশ্বৰস্থানীয় লোকৰ অহঙ্কাৰ নাই। পৃথিৱীত মঙ্গল অনুষ্ঠানৰ দ্বাৰাই এওঁলোকৰ কোনো স্বাৰ্থৰে সম্ভৱ নাই। অমঙ্গল আচৰণৰ পৰাও অনৰ্থৰ সম্ভাৱনা নাই। সেইদেখি যি তিৰ্য্যক, মৰ্ত্ত্য আৰু দেৱতা প্ৰভৃতি সকলো জীৱৰ ঈশ্বৰ, যি সকলো ঐশ্বৰ্য্যৰ অধিকাৰী, তেওঁৰ কুশল অকুশলৰ সম্ভৱ ক'ত? যাৰ চৰণ সেৱাত পৰিতৃপ্ত ভক্তসকলে আৰু জ্ঞানীসকলে যোগৰ প্ৰভাৱেৰে অখিল কৰ্ম্মবন্ধ দূৰ কৰি স্বচ্ছন্দে বিচৰণ কৰি ফুৰে আৰু কেতিয়াও সংসাৰত বদ্ধ নহয়, তেওঁ স্বেচ্ছাতে দেহ ধাৰণ কৰিছে। তেওঁ বদ্ধ কেনেকৈ হব পাৰে? যি গোপীসকলৰ আৰু গোপীৰ স্বামীসকলৰ আৰু যাৱতীয় দেহীসকলৰ অন্তৰত বিৰাজ কৰি আছে, যি বুদ্ধ্যাদিৰ সাক্ষী, তেৱেঁই ক্ৰীড়াৰ ছলেৰে দেহধাৰণ কৰিছিল। জীৱৰ মঙ্গলৰ নিমিত্তে তেওঁ মনুষ্য মূৰ্ত্তি ধাৰণ কৰি তেনেকুৱা বিবিধ ক্ৰীড়া কৰিছিল, যাতে জীৱই তেওঁৰ সেইবোৰ কথা শুনি তেওঁৰ প্ৰতি শক্তিমান হব পাৰে। হে ৰাজন্। ব্ৰজবাসীসকলে শ্ৰীকৃষ্ণৰ প্ৰতি অসূয়া প্ৰকাশ কৰা নাছিল; কাৰণ তেওঁলোকে কৃষ্ণৰ মায়াত মুগ্ধ হৈ ভাবিছিল যে তেওঁলোকৰ নিজ নিজ পত্নী তেওঁলোকৰ কাষতে আছে। শ্ৰীশঙ্কৰদেৱৰ ৰচিত ইয়াৰ সুৰলা পদ তলত দিলোঁ।—

"পৰম ঈশ্বৰে কৰে অকৰ্ম্ম।
তেজস্বীত কিছু নাহি অধৰ্ম্ম॥
সৰ্ব্বভক্ষ বহ্নি সবাকো শোষে।
তাঙ্ক কি কৰিব ইসব দোষে॥
ঈশ্বৰ নুহি যিটো নৃপমতি।
ই কৰ্ম্ম কৰি যাইব অধোগতি॥
হৰক দেখি বিষ খায় আনে।
সিজন যেন মৰি যায় প্ৰাণে॥
দেহত যাৰ নাহি অহঙ্কাৰ।
তাহাৰ কৰ্ম্মত নাহি বিচাৰ॥
জগতৰ হৰি পৰম ঈশ।
ই কৰ্ম্মে তাঙ্ক কৰিবেক কিস॥
যাৰ পাদ পদ্ম চিন্তি সাম্প্ৰতে।
ছিণ্ডে কৰ্ম্মবন্ধ হেলে ভকতে॥
ধৰিছা লীলা তনু হেন হৰি।
শুনা কথা তাত সংশয় এৰি॥
জগত অন্তৰ্যামী নাৰায়ণ।
তান কোন পৰদাৰা গমন॥
যাহাৰ স্মৰণে পাতক মোচে।
তাঙ্ক কি কৰিব ইসব দোষে॥
শৃঙ্গাৰ ৰসে যাৰ আছে ৰতি।
আৰু শুনি হৌক নিৰ্ম্মল মতি॥
ভকতৰ পদে আপুনি হৰি।
ক্ৰীড়িলা ৰঙ্গে নৰদেহা ধৰি॥

মোহিলা গোপক কৃষ্ণৰ মায়া।
কাষতে আছে দেখে নিজ যায়া॥
নকৰে অসূয়া কৃষ্ণক কেৱ।
জগত ঈশ হেন কৃষ্ণদেৱ।"
-কীৰ্ত্তন

ঈশ্বৰৰ বা ঈশ্বৰৰ গুণসম্পন্ন অৱতাৰ পুৰুষসকলৰ উপদেশ বাক্যহে পালনীয়, আচৰণ নহয়। এইটো পৃথিৱীত প্ৰচলিত আন কেইটা ডাঙৰ ধৰ্ম্মৰো শিক্ষা। কাৰণ আমি তেওঁলোকৰ তুল্য শক্তিশালী নহলে সেই কাম কৰিমেই বা কেনেকৈ? বুদ্ধদেৱে কি দুৰ্ঘোৰ তপস্যা সাধন কৰিছিল, কিন্তু পৰমানন্দ বা নিৰ্ব্বাণ প্ৰাপ্তিৰ নিমিত্তে শিষ্যসকলক তেনে আচৰণ কৰিবলৈ কেতিয়াও নকৈছিল। তেওঁৰ উপদেশ বাক্যহে বৌদ্ধৰ পালনীয়, আচৰণ নহয়। শঙ্কৰাচাৰ্য্যই লোৰ তপত গোলা খোৱা দেখি কোনো শিষ্যই তেনে কৰিবলৈ গৈ পুৰি মৰিছিল বুলি প্ৰবাদ আছে। খৃষ্টই ক্ৰুছকাষ্ঠ বিদ্ধ হৈছিল। সৰ্ব্বসাধাৰণ খৃষ্টিয়ানৰ পক্ষে খৃষ্টৰ সেইটো আচৰণ বিধান নাই। তেওঁৰ বাক্য উপদেশ শুনা আৰু পালনহে বিধান। মহম্মদে অনেক ভাৰ্য্যা বিবাহ কৰিছিল, আনকি তেওঁৰ বোৱাৰী সম্পৰ্কৰ ভাৰ্য্যাকো। কিন্তু মহম্মদৰ এনে আচৰণৰ আহিৰ বিধান মচলেমৰ পক্ষে নহয়। তেওঁৰ উপদেশ বাক্য শ্ৰৱণ আৰু প্ৰতিপালনহে বিধান। "জগত অন্তৰ্য্যামী নাৰায়ণ। তান কোন পৰদাৰ গমন॥" তেওঁ সকলোৰে অন্তৰত আছে, সকলো তেওঁ, তেৱেঁই সকলো, তেওঁৰ আকৌ পৰদাৰ কি? ঈশ্বৰ যদি চৈতন্যস্বৰূপ পুৰুষ আৰু সকলো জীৱ-জন্তৰে সৈতে জগৎ যদি জড় প্ৰকৃতি, তেন্তে ঈশ্বৰৰ এই ৰাসলীলা বুজিবলৈ আহুকাল কি? প্ৰত্যেকৰ অন্তৰতে পৰমআত্মাই ৰমণ কৰিছে সেইটো যদি আমি বুজিব পাৰোঁ, তেন্তে "যত গোপী, তত কৃষ্ণ" হৈ বৃন্দাবনত অনুষ্ঠিত ভগৱানৰ ৰাসলীলাও অনপ বুজিব পাৰিম। ভাগ-

ব্ৰজৰ ৰাসলীলা অতি গভীৰ আধ্যাত্মিক তত্ত্ব। ভাবুক, ৰসিক, ভগৱন্তজনহে সি অনুভূতি প্ৰীতি ৰতি আৰু বুজিবৰ বস্তু, আনৰ নহয়। আনৰ পক্ষে সি অশ্লীল বিবৰণ। ভগৱন্তৰ কৃপা নহলে ভগৱন্তৰ লীলাৰ গূঢ় তাৎপৰ্য্য বুজা অসম্ভৱ। শৰৎকালৰ চন্দ্ৰাৱলী ৰাতি বৃন্দাবনত শ্ৰীকৃষ্ণৰ সুমধুৰ বংশীধ্বনি শুনি ব্ৰজগোপীসকল মুগ্ধ হৈ সকলো পৰিত্যাগ কৰি যেতিয়া শ্ৰীকৃষ্ণৰ আগত উপস্থিত হলগৈ তেতিয়া কৃষ্ণই তেওঁলোকৰ কৃষ্ণপ্ৰেম পৰীক্ষা কৰিবৰ নিমিত্তে যেতিয়া এই বুলি কলে—

"কুশলে কি আইলা কয়ো ব্ৰজৰ কল্যাণ
প্ৰিয় কৰ্ম্ম কৰোঁ কিবা কহিয়ো নিদান॥
দুৰ্ঘোৰ ৰজনী প্ৰেত পিশাচৰ গতি।
ঐত নাথাকিবা তোৰা সৰ শ্ৰীমতি॥
তোমাসাক নেদেখিয়া পিতৃ-মাতৃচয়।
তাসবাৰ মনে মহা মিলিব সংশয়॥
দেখিলাহা ইটো বিকশিত বৃন্দাবন।
শশাঙ্কে ধৱল নৱ পল্লৱে শোভন॥
উলটি ব্ৰজক যাহা কান্দে শিশুগণ।
তাসবাক প্ৰতিপালি পিয়ায়োক স্তন॥
উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম্ম।
স্বামীক শুশ্ৰূষা কুলস্ত্ৰীৰ মহাধৰ্ম্ম।
যদিবা আমাক স্নেহে আইলা গোপীগণ।
মোক আবে দেখিলা সিজিল প্ৰয়োজন॥
বিদূৰত থাকি কৰে শ্ৰৱণ-কীৰ্ত্তন।
বাঢে মোত ভকতি নিৰ্ম্মল হোৱে মন॥
দেখন্তে শুনন্তে সদা হেলা হোৱে মতি।
জানিয়া গৃহত থাকি কৰিয়ো ভকতি॥"

ইয়াৰ উত্তৰত গোপীসকলে কলে,—

"ভকত ৰৎসল তোমাক জানি।
কেনে বোলা হেন যাতুক বাণী।
সমস্ত বিষয় এৰিয়া স্বামী।
ভজিলোঁ তোমাৰ চৰণে আমি।
ভজিয়ো আমাক বিলোক ভাগ।
নকৰা নাথ ভকতক ত্যাগ॥
কহিলা যিটো কুলস্ত্ৰীৰ কৰ্ম্ম।
তোমাতে আছোক সিসব ধৰ্ম্ম॥
জগতৰে বন্ধু আত্মা তুমি।
সমস্ত ধৰ্ম্মৰ আপুনি ভূমি॥
তুমি আত্মা হেন জানি সম্প্ৰতি।
তোমাতেসে কৰে ভকতে ৰতি॥
নালাগে পতি-পুত্ৰ দুঃখ হেতু।
হয়োক প্ৰসন্ন গৰুড়কেতু॥
কৰিছোঁ আশা যিটো চিৰকাল।
নকৰিয়ো ভঙ্গ তাক গোপাল॥
হৰিলা চিত্ত নথাকয় ঘৰে।
হস্ত দুই গৃহ কৃত্য নকৰে॥
তোমাক এৰিয়া নচলে ভৰি।
ব্ৰজক যায়া কি কৰিবো হৰি॥
হয়োকো প্ৰসন্ন জগনিবাস।
সব ত্যজি কইলোঁ তোমাতে আশ॥"

—কীৰ্ত্তন

ভগৱন্তই গোপীসকলৰ প্ৰকৃত জ্ঞান হৈছে নে নাই তাৰ পৰীক্ষা কৰিবলৈ কলে—

"উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম্ম।
স্বামীক শুশ্ৰূষা কুলস্ত্ৰীৰ মহাধৰ্ম্ম॥"

গোপীসকলৰ প্ৰকৃত জ্ঞান হৈছিল। সেইদেখি তেওঁলোকে উত্তৰ দিলে—

"কহিলা যিটো কুলস্ত্ৰীৰ কৰ্ম্ম।
তোমাতে আছোক সিসব ধৰ্ম্ম॥
জগতৰে বন্ধু আত্মা তুমি।
সমস্ত ধৰ্ম্মৰ আপুনি ভূমি॥
তুমি আত্মা হেন জানি সম্প্ৰতি।
তোমাতেসে কৰে ভকতে ৰতি॥"

এনে জ্ঞান যি ভক্তৰ হৃদয়ত হৈছে সেই ভক্তৰ হৃদয়ত বৃন্দাবনত হে ভগৱন্তৰ ৰাসলীলা হয়। গোপী-সকলে কৃষ্ণক কলে—

হে বিভো! আমি সকলো বিষয় বিভৱ পৰিত্যাগ কৰি তোমাৰ পাদমূল ভজনা কৰিছোঁ। হে স্বাধীন! যেনেকৈ দেৱাদিদেৱ পুৰুষে মুমুক্ষু-সকলক গ্ৰহণ কৰে, সেইদৰে তুমি আমাক গ্ৰহণ কৰা। পতি-পুত্ৰ আৰু বন্ধুসকলৰ সেৱা কৰাই-হে যে তিৰোতাৰ স্বধৰ্ম্ম, এই উপদেশ যে তুমি দিছা, আমি তাকে কৰিম। এই উপদেশদাতা ঈশ্বৰ তোমাক সেৱা কৰিলেই আমাৰ পতি-পুত্ৰাদিৰ সেৱা কৰা হয়; কাৰণ তুমিয়েই শৰীৰীসকলৰ প্ৰিয়তম বন্ধু আত্মা আৰু নিত্য প্ৰিয়। শাস্ত্ৰকুশল ব্যক্তি-সকলে তোমাতেই প্ৰেম কৰে। পতি-পুত্ৰাদি দুঃখ-দায়ক, সেইবোৰকে মোৰ বুলি থাকি কি হ'ব?

—শ্ৰীমদ্ভাগৱত

এই যে আত্মত্যাগ, ইয়েই আত্মাৰ পৰমাত্মাৰে সৈতে মিলনৰ সেতু। সংসাৰৰ মায়া-মোহ, লোক-লজ্জা, সকলোকে যি অনায়াসে ত্যাগ কৰে, নি-
পৰব্ৰহ্মস্বৰূপ জগৎ-কাৰণক চিন্তা কৰি
জ্ঞান লভি মুক্তি লাভ কৰে। সি আ-
বাসনা নকৰে। লোকৰ নিন্দ-
আৰৰ ভূষণ। এইদেখি ৫
কাম-কামনা মহৰ। সি ত্যজিব

মাধুৰ্য্যৰ বিকাশ, তাৰ কাম্য মোক্ষ। তেতিয়া সাধকে অনন্ত সুন্দৰৰ প্ৰেমত তন্ময় হৈ জগতক প্ৰেমময় দেখে। পৰমাত্মা শ্ৰীকৃষ্ণৰ প্ৰসঙ্গৰ বাহিৰে গোপী-সকলৰ আন প্ৰসঙ্গ নাই, কৃষ্ণনামৰ কৃষ্ণ ধ্যানৰ বাহিৰে আন ৰূপ আন গান নাই। তেওঁলোক তন্ময়।

"কৃষ্ণতে অৰ্পিল মন কৃষ্ণৰে আলাপ।
কৃষ্ণগুণ গায়া কৰে কৃষ্ণৰে বিলাপ ॥
পতি-পুত্ৰ গৃহ-শৰীৰকো নুস্মৰে।
কৃষ্ণময় হুয়া কৃষ্ণ চেষ্টা মাত্ৰ কৰে ॥"
—কীৰ্ত্তন

অনন্ত সুন্দৰৰ সৌন্দৰ্য্যৰ বিকাশ আৰু তেওঁৰ আৰাধনাই জীৱন সাৰ্থকতাৰ মুখ্য উপায়,—এই তত্ত্বই ৰাসলীলা। বৃন্দাবনৰ সৌন্দৰ্য্য ৰাজ্যত গোপীসকলৰ ভক্তিৰ উদ্ৰেক হলত তেওঁলোক কৃষ্ণানু-ৰাগিনী হৈ কৃষ্ণময় হল। "ৰসোবৈসঃ" পৰমাত্মা প্ৰাণনাথ কৃষ্ণৰ সৈতে তেওঁলোকৰ জীৱাত্মাক সহধৰ্ম্মী কৰি তন্ময় হৈ জীৱাত্মা আৰু পৰমাত্মাৰ অভেদজ্ঞান, যি জ্ঞান যোগী আৰু জ্ঞানীৰ জ্ঞানৰ শেষ লক্ষ্য, সেই জ্ঞান লভি পৰমাত্মাত বিলীন হল।

ভক্তিৰ পন্থত মানুহ কেনেকৈ পূৰ্ণকাম হয়, কেনেকৈ অসীমক সসীম হৃদয়ত ধাৰণা কৰি, তেওঁৰ সাধনাত সিদ্ধিলাভ কৰি, তেওঁৰ সৌন্দৰ্য্যত হৃদয় সুন্দৰ কৰি, তেওঁৰ প্ৰেমত আপোনাক সৰ্ব্বতো-ভাৱে বিসৰ্জ্জন দি মুক্তিলাভ কৰিব পাৰি, তাৰে উপায় ৰাসলীলাত ব্যাখ্যা কৰা হৈছে। বিষয়-বাসনাবিজড়িত হিয়াৰ সকলো বান্ধোন ছিঙি যি পৰমাত্মা পৰমেশ্বৰৰ আনন্দময় সঙ্গত নিজৰ জীৱন সাৰ্থক কৰিব পাৰে, সিয়েই ৰাসলীলাৰ প্ৰকৃত মৰ্ম্ম হৃদয়ঙ্গম কৰিব পাৰে। ৰাসলীলা ভক্তিৰ বাটেদি পৰমাত্মাৰ সান্নিধ্য লাভ। ৰসজ্ঞ ভাবুক ভক্তৰ বস্তু ৰাসলীলা, সি কামুক সংসাৰীৰ নহয়। ভক্ত ভাবুক ভাই। উচ্চ কৰি গোৱা।—

"হেৰা পাইলোঁ পাইলোঁ ৰে
প্ৰাণধন মুকুন্দ মুৰাৰি।
দিলা দেখা দামোদৰ জীৱন হামাৰি ॥"
—শ্ৰীশঙ্কৰদেৱ

ব্ৰজৰ গোপীসকলৰ দৰে ব্যাকুল অন্তৰেৰে প্ৰাণ মন সকলো সমৰ্পণ কৰি সেই অমৃত ধন পৰমাত্মা হৃদয়েশ্বৰক মাতা। তেওঁ তেওঁৰ প্ৰেমময় কোলা মেলি আছে। সেই কোলালৈ বোৱাঁ আৰু এই দুখ লোকৰৰ মৰ্ত্ত্যধামলৈ উভতি আহিব্ নেলাগে।

"ব্যাকুল অন্তৰে চাহৰে তাঁহাৰে
প্ৰাণ মন সপিৰে।
প্ৰেমদাতা আছেন ক্ৰোৰ প্ৰসাৰি
যে জন যায় নাহি ফিৰে ॥"

(বাঁহী : ৮ম বছৰ, ৮ম সংখ্যা—১৮৩৯ শক)

কংসাৰি শ্ৰীকৃষ্ণ

আমাৰ মৰণ নিশ্চিত বস্তু; কিন্তু আমাৰ মানে কাৰ? দেহৰ-প্ৰকৃত আমাৰ নহয়। দেহত আত্মাবুদ্ধি কৰোঁতাইহে মৃত্যুক স্বীকাৰ কৰি লয়। এই বাবেই ভক্তই আত্মনিন্দা কৰি, খেদ কৰি কৈছে:—

"তুমি প্ৰাণ প্ৰিয়তম সুহৃদ পৰম দেৱ,
প্ৰাণপ্ৰভু পীতাম্বৰ এ,
তুমিসে কেৱলে আত্মা মোৰ।
তোমাক নাজানি জড় মিছা শৰীৰক মই,
প্ৰাণপ্ৰভু পীতাম্বৰ এ,
আত্মা বুলি ভৈলোঁ সেৱা চোৰ ॥
প্ৰাণবন্ধু কিনো মই অজ্ঞানী দুৰ্ব্বোৰ ॥"
"অনাত্মা দেহক আত্মা বুদ্ধি কৰি, হৰি হৰি হৰি হৰি এ,
সেৱা পৰিহৰি সি সুখে ভৈলো বঞ্চিত ॥"
—ঘোষা

দেহত আত্মাবুদ্ধি নকৰোঁতাই অমৃত পৰমাত্মাক জানি আৰু নিজক সেই অমৃত পৰমাত্মাৰ সন্তান বুলি জানি অমৃতক স্বীকাৰ কৰি লয়। "শৃণ্বন্তু বিশ্বেঽমৃতস্য পুত্ৰাঃ যে ধামানি দিব্যানি তস্থুঃ।"—উপনিষদ।

দেহক স্বীকাৰ কৰি লোৱা মানে মৃত্যুক স্বীকাৰ কৰি লোৱা; কাৰণ দেহৰ মৰণ নিশ্চিত। এই মৰণৰ হাত এৰাব খুজিলে অৰ্থাৎ দেহকে ভাল পাই তাকে সাধোঁ ৰক্ষা কৰিবৰ চেষ্টা কৰিলে জীৱ নোৱাৰি, কিয়নো শত চেষ্টাতো তাৰ বিনাশ নুগুচে। মৰণক আনন্দেৰে সৈতে গ্ৰহণ কৰি ললেহে জীৱ পাৰি। আমি সকলোৱে নিজৰ শৰীৰক ভাল পাওঁহক, অনেক ভাল পাওঁহক। কিন্তু এই ভাল-পোৱা প্ৰেম নহয়, এই ভালপোৱা কামহে। প্ৰেমহে মৃত্যুঞ্জয়, কাম নহয়। প্ৰেমেই অমৰতা আনি দিয়ে, কামে নোৱাৰে।

"প্ৰেমৰ আগত কিবা দুখ,
কিবা মৃত্যু? প্ৰেম মৃত্যুঞ্জয়।
ৰোগ শোক তাপ অভিমান,
মানুহৰ মনৰ জঞ্জাল।
জঞ্জালতে আত্মবলিদান।
—প্ৰেমৰহ [illegible] পৰমাৰ্থ জ্ঞান

বি প্ৰেমেই তোমাৰ সম্বল,
সেয়ে স্পৰ্শমণি সংসাৰৰ।
কিবা চোৱা, হাততে ৰতন
প্ৰেমেই যে শান্তি জগতৰ।" —প্ৰতিমা

অনেক সময়ত মানুহে সাধাৰণ ভালপোৱাকে প্ৰেম বুলি ভ্ৰমত পৰে; কিন্তু এই দুটাৰ ভিতৰত বিস্তৰ প্ৰভেদ। মুঠতে ভালপোৱা স্বাৰ্থবিজড়িত; প্ৰেম স্বাৰ্থত্যাগ। ভালপোৱা তুলাচনীত উঠি বিক্ৰী হয়। প্ৰেম বিশ্বব্ৰহ্মাণ্ড জোৰা অগাধ অনন্ত। গোকুলৰ গোপ-গোপীয়ে শ্ৰীকৃষ্ণক ভালপাইছিল। কংসইও ভনীয়েক দৈৱকীক ভালপাইছিল। গোপীসকলে পতি-পুত্ৰ গৃহ ধন-বস্তু, আনকি নিজৰ প্ৰাণকো কৃষ্ণপ্ৰেমত আহুতি দিছিল। বি কেইজনী গোপীয়ে "শৰৎকালৰ চন্দ্ৰাৱলী ৰাতিত" কৃষ্ণৰ বংশীধ্বনি শুনি কৃষ্ণৰ ওচৰলৈ যাব নোৱাৰিলে, তেওঁলোকে হৃদয়ত কৃষ্ণকে একান্ত মনে ধ্যান কৰি, কৃষ্ণক চিন্তি কৃষ্ণময় হৈ নিজৰ পাৰ্থিৱ শৰীৰ পৰিত্যাগ কৰি কৃষ্ণক পালে।

"বাইৰে নপাই গৃহমধ্যে কতো গোপীগণ।
মনে ধৰি কৰিল কৃষ্ণক আলিঙ্গন॥
অনেক জন্মৰ কৰ্ম্মবন্ধ কৰি ক্ষীণ।
এড়ি তনু তেখনে কৃষ্ণতে গৈল লীন॥" —কীৰ্ত্তন

গোপগোপীয়ে শ্ৰীকৃষ্ণক ভালপোৱাটোৰ নাম প্ৰেম। কংসই ভনীয়েকক ভাল পোৱাটো স্বাৰ্থপৰতা-বিজড়িত, সি প্ৰেম নহয়। কৃষ্ণই গোপক কলে, "তোমালোকে ইন্দ্ৰক পূজা কৰিব নেলাগে।" তেওঁলোকে জানিছিল যে ইন্দ্ৰই কোপ কৰি তেওঁলোকক ভয়ানক কষ্ট দিব পাৰে; কিন্তু শ্ৰীকৃষ্ণই তেওঁলোকৰ ভালপোৱাৰ বস্তু, যথাসৰ্ব্বস্ব। তেওঁলোকে ইন্দ্ৰৰ কোপৰ পৰা হব পৰা অনিষ্টলৈ চকু মুদি, সেই ভৱিষ্যৎ অনিষ্টক তুচ্ছ জ্ঞান কৰি, শ্ৰীকৃষ্ণৰ কথামতে গোবৰ্দ্ধন পৰ্ব্বতৰ পূজা আৰম্ভ কৰিলে। এইটো ভালপোৱা—প্ৰেম। নিজৰ সুখ-দুখ আনকি জীৱনলৈকো পাহৰি, ভালপোৱা জনৰ হাতত সম্পূৰ্ণ আত্মদানেই প্ৰেম।

কংসই মৰমৰ ভনীয়েক দৈৱকীক বৰ সমাৰোহেৰে বিয়া দিলে। তেওঁ ৰথত নিজে ভনীয়েকৰ ৰথ চলাই গল। এনেতে হঠাৎ দৈৱবাণী শুনিলে—

ঘোঁৰা চলাই যায় কংস চড়িয়া ৰথত।
শুনিলা আকাশীবাণী বাহান্তে পথত॥
যাক লৈয়া যাস কংস শুনৰে অজ্ঞান।
এহিৰ অষ্টম গৰ্ভে তোৰ লৈব প্ৰাণ।" —শ্ৰীশঙ্কৰদেৱ

এই কথা শুনিয়েই কংসৰ ইমান মৰম, ইমান প্ৰীতি উৰি গল আৰু স্বাৰ্থপৰতা, আত্মৰক্ষা, ক্ৰোধ আৰু মৰণৰ ভয়ে আহি সেই ঠাই অধিকাৰ কৰিলে।

"শুনিয়া নিস্খল কংসে খাণ্ডা লৈলে তুলি।
দৈৱকীৰ কেশত ধৰিলা কাটো বুলি॥" —শঙ্কৰদেৱ

ওপৰৰ দৈৱবাণী শুনি যদি কংসই ভাবিব আৰু কব পাৰিলেহেঁতেন যে "মৰণ? মৰণতো মানুহলৈ আছেই। তাৰ নিমিত্তে মই মোৰ মৰমৰ ভনীক কাটিবলৈ যাম নে? তাইৰ কি দোষ? মৰণৰ ভয়ত মই প্ৰীতিক জলাঞ্জলি দিম নে? প্ৰেম যে মৃত্যুঞ্জয়। প্ৰেম, প্ৰীতি, মৰম যে মৰণতকৈ ডাঙৰ। মৰণতো অতি তুচ্ছ। প্ৰেমেহে মানুহক অমৰ কৰে।" এই কথা কৈ যদি কংসই আৰু আনন্দেৰে উৎফুল্ল হৈ ৰথ চলাই গলহেঁতেন তেন্তে কংস অমৰ হলহেঁতেন, আনন্দময় হলহেঁতেন। কিন্তু কংসই সেইদৰে ভাবিব, সেইদৰে কব, সেইদৰে কৰিব নোৱাৰিলে। কংসই এই নশ্বৰ দেহৰ বিনাশ পাথিৱ মৃত্যুক বৰকৈ ভয় কৰি তাৰ ৰক্ষাৰ নিমিত্তে প্ৰেম, দয়া, মমতা, ধৰ্ম্ম, ন্যায়, এই সকলোবোৰ অবিনশ্বৰ বস্তুক সেই ভুল কৰ্ম্মা-নাশাত উটাই দিবলৈ প্ৰস্তুত হল। কংসক যি-অবিনশ্বৰ প্ৰেম-মহাযজ্ঞত বিনাশী বস্তুক আহুতি দিবলৈ আসন পাতি বহুৱা হৈছিল, সেই আসনৰ পৰা তেওঁ বিচ্যুত হৈ, তাক এৰি, পাপ অন্যায় অধৰ্মৰ এক ভীষণ আসুৰিক উৎকট ভৈৰৱী উৎসৱত প্ৰবৃত্ত হল। তেওঁ ভনীয়েক বৈনায়েকক লোৰ শিকলি লগাই পোতাশালত থলে। সদ্যোজাত শিশু ভাগিনবোৰক স্বহস্তে বধ কৰিবলৈ ধৰিলে; পাপ অন্ধকাৰৰ প্ৰতীক বিশ্বাসঘাতক পুতনা পিশাচীক পঠিয়াই নিঃসহায়, নিৰুপায়, স্বৰ্গীয় প্ৰেমৰ অভিনৱ মূৰ্ত্তি শিশুসকলক বধ কৰাবলৈ ধৰিলে—

"আসিলেক পুতনা মোহিনী নাৰী বেশ।
স্তন দিয়া শিশু মাৰি ফুৰে দেশ দেশ॥" —কীৰ্ত্তন

তেওঁ শকটাসুৰ, চক্ৰবাত, বৎসাসুৰ, অঘাসুৰ, ধেনুকাসুৰ, প্ৰলম্বাসুৰ প্ৰভৃতি পাপৰূপী দৈত্যসকলৰ সহায় লৈ, প্ৰেমৰ ৰাজ্য বৃন্দাবন উচ্ছন্ন কৰিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। কংস দৈত্যৰ লৰা দৈত্য নহয়। কংস ক্ষত্ৰিয়ৰাজ সন্তান, উগ্ৰসেনৰ পুত্ৰেক কৃষ্ণৰ মোমায়েক। তেওঁৰ ৰাজ্য আৰ্য্য হিন্দুৰ ৰাজ্য।

তেওঁৰ প্ৰজা, তেওঁৰ কাৰ্য্যকাৰকসকল আৰ্য্য হিন্দু, হিন্দু দেৱ-দেৱীত ভক্তিমান মানুহ। এনে কংসৰ ৰাজ্যত তেওঁৰ কাৰ্য্যকাৰক হবলৈ পুতনা, কেশী, অঘ, বকবোৰ এতিয়া হঠাৎ কৰ পৰা ওলালহি? সেই পাপ এন্ধাৰৰ কাৰ্য্যকাৰক সেৱকবোৰে কৰ পৰা তেওঁৰ ঈপ্সিতকাৰ্য্য সম্পাদন কৰিবৰ নিমিত্তে তেওঁক বেঢ়ি ধৰিলেহি? কংস প্ৰেম পুণ্য পৱিত্ৰতাৰ আসনৰ পৰা যেতিয়া টলিল, তেওঁৰ মনৰ পুণ্য প্ৰবৃত্তিবোৰ দলিত হৈ পাপ প্ৰবৃত্তিবোৰ মূৰ দাঙি উঠিল। মানুহৰ মনত পাপ-পুণ্য দুই ৰকম প্ৰবৃত্তি সদায় আছে। পুণ্য প্ৰবৃত্তিৰ অভাৱ যেতিয়া মনত প্ৰবল হৈ থাকে, তেতিয়া পাপ প্ৰবৃত্তিবোৰ ভয়ত চেপা খাই দুৰ্ব্বল হৈ থাকে। মানুহৰ হৃদয়-অৰণ্যৰ মাজত পুণ্য, প্ৰেম, পৱিত্ৰতা, ঈশ্বৰৰ প্ৰতি ভয় ভক্তি আদিৰ যেতিয়া প্ৰাধান্য থাকে, তেতিয়া অন্যায় অধৰ্ম্মৰ কল্মষে মূৰ দোৱাই থাকে আৰু পুণ্যৰ বিজয়-ঘোষণাৰ ধ্বনিত সেইবোৰ লৰি পলায়ন-পৰায়ণ হয়।

"পুণ্য অৰণ্যৰ মাজে মাধৱৰ নাম-সিংহ
প্ৰকাশ কৰয় অতি ৰৱে।
যাৰ ধ্বনি শুনি ভয়ে মহাপাপ হস্তী চয়
পলায় অতি ত্ৰাসত লৰৱে॥"—ঘোষা

"ৰাম নাম মহা প্ৰমত্ত সিংহৰ
ধ্বনি শুনি ৰিণি ৰিণি,
পাপময় যত মাতঙ্গ পলায়
মিলিল হেৰা বিঘিনি॥
ৰাম কৃষ্ণ নাম কীৰ্ত্তন বাড়ৱ
অগনিৰ শিখা লাগি।
অসুৰ ৰাক্ষস পাষণ্ড পিশাচ
পলায় দশোদিশে ভাগি॥" —ঘোষা

ইয়াৰ ওলোটা অৱস্থাই মানুহৰ হৃদয়ত স্থান ললেই অসুৰ ৰাক্ষস পাষণ্ড পিশাচে চাৰিউফালৰ পৰা আহি মানুহক বেঢ়ি ধৰি "প্ৰভু আমাক আজ্ঞা দিয়ক। আমি আপোনাৰ ইচ্ছামতে কি কাৰ্য্য সাধন কৰিব লাগে কৰোহঁক।" বুলি হাতবোৰ কৰি থিয় হয়হি। আৰ্য্য ক্ষত্ৰিয়ৰ সন্তান কংসৰো যেতিয়া 'অসুৰ-স্বভাৱে' লগ ললেহি, তেতিয়া কংসাসুৰৰ মন যোগাবৰ নিমিত্তে পুতনা পিশাচী, অঘাসুৰ বকাসুৰকে আদি কৰি অসুৰবোৰ উভৱ হৈ সিহঁতে তেওঁৰ মনৰ হৰ্ষবিধান কৰিবলৈ ধৰিলেহি। মানুহে জীৱনত ধৰ্ম্মপথৰ পৰা এবাৰ পিছুলি পৰিলে এনেকুৱাই হয়। তেতিয়া মানুহে খোজে খোজে পিছুলি পিছুলি, এটা পাপৰ পৰা আন এটা পাপ, আৰু সেইটোৰ পৰা গৈ তাতোকৈ এটা ডাঙৰ পাপত পৰি সেই অনুক্ৰমে নামি গৈ থাকে। সেইদেখি কংসই প্ৰথম পাপত পৰি, তাৰ দ্বিতীয় খাপ দৈৱকী বসুদেৱক কাৰাগাৰত বন্দী কৰিলে। তাৰ পৰা বাগৰি শিশু ভাগিন লৰাবোৰক বধ কৰিলে। তাৰ পৰা বাগৰি পুতনাক পঠিয়াই ৰাজ্যৰ শিশুবোৰক বধ কৰোৱালে। যি নিৰ্ম্মল শিশুৰ মূৰ্ত্তিত স্বৰ্গীয় দৃশ্য, শত বালগোপালৰ অমৃতময় প্ৰকাশ, তেনে হেজাৰ হেজাৰ শিশুবধ পাতকত কংস লিপ্ত হবলৈ ধৰিলে। যিটো প্ৰবৃত্তিক ভাৰি ভাৰি যিমান প্ৰশ্ৰয় দি বঢ়োৱা যায়, সি সিমান বাঢ়ি উঠে, সিমান সি মহাকায় হয়। পাপ প্ৰবৃত্তিকো যিমান বঢ়োৱা যায়, সিমান সি বাঢ়ি পৰ্ব্বতাকাৰ হয় আৰু সি তাৰ বদন ব্যাদান কৰি সিমানকৈ গিলিবলৈ আহে। কংসৰ পৰা সেইদৰে বৰ্দ্ধিত হোৱা পাপপ্ৰবৃত্তি অঘাসুৰ বাঢ়ি মহাকায় হৈ, বৃন্দাবনৰ পুত পৱিত্ৰ আনন্দময় গোপ-গৰুৰে সন্নিনিতে কৃষ্ণক গিলিবলৈ আহি, তেওঁলোকৰ বাটত মুখ ব্যাদান কৰি বলহি।

"দুষ্ট অঘে (পাপ অসুৰ) পাতিলেক কাপ।
বাট ভেল্টি ভৈল ঘোৰ সাপ॥
পৰ্ব্বত সমান কলেৱৰ।
বাইল বেক্ত সম্যকে গহ্বৰ॥
তল ওঠ মাটিত থাপিল।
উৰ্দ্ধ ওঠ মেঘত লাগিল॥" —কীৰ্ত্তন

কিন্তু আনন্দময় প্ৰেমময় পুণ্যক পাপে গিলিব নোৱাৰে। পোনতে সি মুখ মেলি পুণ্যপ্ৰেমক গিলি তাৰ পেটত সুমালেও পূৰ্ণানন্দময় মূৰ্ত্তিয়ে তাক ধ্বংস কৰি, প্ৰেমগোপবালক গাইবৎসক মেঘমুক্ত শশধৰৰ নিচিনাকৈ উলিয়াই আনিবই।

"দেখি তুমি ভক্তৰ স্নেহত।
পশিলাহা অঘৰ গৰ্ভত॥
দেখি আঁটি ধৰিল দশন।
তুলিলেক হাঁসি দৈত্যগণ॥
দেৱগণে কৰে হাহাকাৰ।
গল চুঙ্গি ভেল্টি ভৈলা তাৰ॥
পেট ফিন্দি বায়ু দিলে টান।
মূৰ্দ্ধ ফুটি বাজ ভৈল প্ৰাণ॥

অমৃত নয়নে চাইলা হৰি।
জীল সবে গোৱন্দ দামুৰি॥
ৰঙ্গে বাজ ভৈলা বংশী বাই।
ফুৰা সবে দামুৰি চৰাই॥" —কীৰ্ত্তন

পাপৰ মূৰ্ত্তি যিমানকে ডাঙৰ হওক, তাৰ কি সাধ্য যে সি আনন্দময়ৰ সেৱকৰ অনিষ্ট কৰে? প্ৰেম আৰু আনন্দ যে মৰণতকৈও ডাঙৰ। প্ৰেম যে মৃত্যুঞ্জয়। নিজক পাখিৰ মৰণৰ পৰা ৰক্ষা কৰিবলৈ যি নানা উপায় অৱলম্বন কৰি পৰৰ অনিষ্ট কামনা

কৰি চলে, তাৰ অৱস্থা কংসৰ নিচিনা হয়,— নিজক যে সি মৃত্যুৰ হাতৰ পৰা ৰক্ষা কৰিব নোৱাৰেই, বৰং পাপ কলুষত আৰু সবহকৈ বুৰে।

(বাঁহী: ৮ম বছৰ, ৯ ম সংখ্যা—১৩৮৯ শক)

গীতাৰ শ্ৰীকৃষ্ণ

যদাতে মোহ কলিলং বুদ্ধিৰ্ব্যতিতাৰিষ্যতি।
তদা গন্তাসি নিৰ্ব্বেদং শ্ৰোতব্যস্য শ্ৰুতস্যচ ॥
প্ৰতি বিপ্ৰতিপন্না তে যদা স্থাস্যতি নিশ্চলা।
সমাধাবচলা বুদ্ধিস্তদা যোগমবাপ্স্যসি ॥

গীতাৰ এই দুটা শ্লোকৰ প্ৰথমটোৰ মানে— শ্ৰীকৃষ্ণই অৰ্জ্জুনক কৈছে, যেতিয়া তোমাৰ বুদ্ধিয়ে মোহৰূপ গহন দুৰ্গ অৰ্থাৎ দেহাদিত আত্মজ্ঞান ত্যাগ কৰিব, তেতিয়া তুমি শ্ৰোতব্য আৰু শ্ৰুত বিষয়ত নিৰ্ব্বেদ অৰ্থাৎ বৈৰাগ্য প্ৰাপ্ত হবা।

দ্বিতীয় শ্লোকৰ মানে,—যেতিয়া নানা প্ৰকাৰ নাদ শ্ৰৱণৰ দ্বাৰাই তোমাৰ বুদ্ধি অবিচলিত হৈ পৰমেশ্বৰত স্থিৰভাৱে অৱস্থিতি কৰিব, তেতিয়া তুমি পৰমাত্মাৰে সৈতে যোগযুক্ত হবা।

অনেক টীকাকাৰে এইখিনিতে শ্ৰুতি মানে বেদ বুলি ব্যাখ্যা কৰিছে। আমি ব্যাখ্যাকাৰৰ ব্যাখ্যাৰ পাকচক্ৰত নোসোমাই শ্ৰুতি শব্দৰ পোন মানেটোকে ধৰিম। "শ্ৰুয়তে যা সা শ্ৰুতিঃ।" অৰ্থাৎ যি শ্ৰুত হয় তাকে শ্ৰুতি বোলে। শব্দ দুইবিধ—ধ্বন্যাত্মক আৰু বৰ্ণাত্মক। ধ্বন্যাত্মক শব্দ ধ্বনিৰূপে কাণত সোমায়। দুইবিধ শব্দৰ ধ্বনিয়েই প্ৰাণ। কিয়নো বৰ্ণাত্মক শব্দবোৰ ধ্বনিৰ সংযোগতেই উচ্চাৰিত আৰু শ্ৰুত হয়। ধ্বনি চাৰি প্ৰকাৰ। পৰা, পশ্যন্তি, মধ্যমা আৰু বৈখৰী। পৰা ধ্বনি মানে অনাহত শব্দ। অনাহত মানে ন-আহত অৰ্থাৎ সেই ধ্বনি কোনো ৰকম আঘাতৰ দ্বাৰাই উৎপন্ন নহয়। পশ্যন্তি ধ্বনি নাইৰ পৰা উত্তৰ হয়। বৈখৰী কণ্ঠৰ পৰা ওলায়। মধ্যমা, হৃদয়ৰ পৰা। পৰা ধ্বনি বা নাদত চিত্ত তন্ময় হলে বাহ্য বিষয়ক পাহৰি পেলোৱা যায়। তাকেই চিত্তৰ লয় বোলে। সেই লয়ৰ স্থিতি দীৰ্ঘকাল হলে তাক সমাধি বোলে। ধ্বনি বা নাদেই সমাধি লাভৰ বিশিষ্ট উপায়। শাস্ত্ৰত কৈছে—

"অনাহতস্য শব্দস্য তস্য শব্দস্য যোধ্বনিঃ।
ধ্বনেৰন্তৰ্গতং জ্যোতিৰ্জ্যোতিৰন্তৰ্গতং মনঃ।
তন্মনো বিলয়ং যাতি তদ্বিষ্ণোঃ পৰমং পদম্।"

সংক্ষেপতে ধ্বনি আৰু জ্যোতিক আশ্ৰয় কৰি মন যত লয় পায়, সেয়ে বিষ্ণুৰ পৰম পদ। এই ধ্বনি গোটেই ব্ৰহ্মাণ্ডৰ জীৱৰ গাত ব্যাপ্ত হৈ আছে। এই বাবে ধ্বনিৰ অৰ্থ প্ৰতিপাদিকা শ্ৰুত শব্দক দেহৰ অভ্যন্তৰত অনুসন্ধান কৰিব লাগে। যাৰ অনাহত শ্ৰুতি সাৰ পাই উঠিছে তেৱেঁই প্ৰকৃত জ্ঞানী, প্ৰকৃত ভক্ত। জীৱৰ অন্তৰত এই ধ্বনি প্ৰাণস্বৰূপ। ইয়েই ঈশ্বৰৰ সুমধুৰ অব্যক্ত ধ্বনি। এই ধ্বনি শুনি জীৱ ঈশ্বৰমুখী হলে জীৱৰ হৃদয়স্থিত আত্মা পৰমাত্মাৰে সৈতে মিলিত হৈ পৰমানন্দ উপভোগ কৰে। ৰাম আৰু কৃষ্ণ নাম এই দুটা সুমধুৰ শব্দ ভক্তই গদগদ চিত্তেৰে অব্যভিচাৰী ভক্তিৰে যেতিয়া মুখেৰে উচ্চাৰণ কৰে বা আনে উচ্চাৰণ কৰোঁতে কাণেৰে শুনে, তেতিয়া ৰামকৃষ্ণ নাম অন্তৰত প্ৰবেশ কৰি সি মানুহৰ হৃদয়স্থিত অনাহত ধ্বনি জাগ্ৰত কৰি দি তাৰে সৈতে একে হৈ সচ্চিদানন্দ পৰমাত্মাত নিমগ্ন হয়। সেইদেখি অৰ্জ্জুনক শ্ৰীকৃষ্ণই কৈছে, শ্ৰুতি অৰ্থাৎ ধ্বনি শুনি তোমাৰ বুদ্ধি আকুল হলেই পৰমাত্মাৰে সৈতে আত্মাৰ মিলন হৈ যোগ লাভ কৰিবা। এই শ্ৰুতিবাচক ধ্বনিতেই ৰাম আৰু কৃষ্ণ নামৰ সাৰ্থকতা। ৰাম শব্দৰ অৰ্থ "ৰমন্তে ক্ৰীড়ন্তে যোগিনোঽস্মিন্ ইতি ৰামঃ।" মহাপুৰুষ শ্ৰীমাধৱদেৱে তেওঁৰ ঘোষাত লেখিছে—

"অনন্ত চৈতন্য আত্মা সদানন্দ ঈশ্বৰত
যোগীজনে সদায় ৰময়।
এহি হেতু ৰাম পদে পৰম ব্ৰহ্ম স্বৰূপত
কহে ৰাম নামৰ অন্বয় ॥"

"সদানন্দ আত্মা চৈতন্য অনন্তে
যিহেতু যোগী ৰময়।
এতেকেসে ৰাম পদে পৰম ব্ৰহ্ম
ৰূপক বুলি নিশ্চয় ॥"

"চৈতন্য স্বৰূপে যিহেতু সদায়
ৰমাৱন্ত জগতক।
এতেকেসে ৰাম সুমধুৰ পদে
বুলি জানা ঈশ্বৰক ॥"

কৃষ্ণ নামৰ এটা অৰ্থ—

"সংসাৰাৎ আকৰ্ষতি জীৱান্ স্বপদে নয়তীতি কৃষ্ণঃ" অনুৰাগী একাগ্ৰবুদ্ধি ভক্তক স্বয়ং পৰম পদলৈ আকৰ্ষণ কৰি তাত স্থাপিত কৰে দেখি পৰমেশ্বৰক কৃষ্ণ বোলে। হংসোপনিষদ শ্ৰুতিত কৈছে—"অথ নাদমাধাৰাৎ ব্ৰহ্মৰন্ধ্ৰপৰ্য্যন্তং শুদ্ধ স্ফটিক সঙ্কাশং স বৈ ব্ৰহ্ম পৰমাত্মেত্যুচ্যতে।" "অৰ্থাৎ মূলাধাৰৰ পৰা আৰম্ভ কৰি ব্ৰহ্মৰন্ধ্ৰ পৰ্য্যন্ত ব্যাপ্ত যি নাদ শুদ্ধ স্ফটিকৰ নিচিনা, সেয়েই জ্যোতিৰ্ম্ময় ৰূপে প্ৰকাশিত ব্ৰহ্ম বা পৰমাত্মা। এই অনাহত নাদ বা ধ্বনি গোটেই জগতত পৰিব্যাপ্ত হৈ আছে। যি এই নাদ বা বংশীধ্বনিৰ আহ্বান শুনিবলৈ পায়, সিয়েই

আকৃষ্ট হৈ সকলো বিষয়-সম্ভোগ পৰিত্যাগ কৰি শ্ৰীকৃষ্ণৰ ফালে উধাতু খাই লৰ ধৰে। মনলৈ চঞ্চলতা গুচি একাগ্ৰতা আহিলে চিত্তশুদ্ধি হৈ নিশ্চয়াত্মিকা বুদ্ধি সত্বস্থ হলে এই ধ্বনি শুনিবলৈ পোৱা যায়। তেতিয়া অকিঞ্চিৎকৰ ধন জন পুত্ৰ ভাৰ্য্যা পৰিবাৰ, ঘৰ, সংসাৰ পৰিত্যাগ কৰি ঈশ্বৰ-কৃষ্ণভক্তই কৃষ্ণৰ কাষলৈ নগৈ থাকিব নোৱাৰে। কাৰণ সেই জনৰ কৃষ্ণই মাত্ৰ এক শৰণ্য বৰেণ্য আৰু প্ৰিয়, প্ৰিয়তৰ আৰু প্ৰিয়তম বস্তু। বিষয়-সুখৰ সম্পৰ্ক আৰু প্ৰতিবন্ধক তেতিয়া সেইজনৰ মনত তুচ্ছাতি-তুচ্ছতম বস্তু হৈ পৰে। এই নিমিত্তেই ব্ৰজৰ গোপীসকলৰ তেনে অৱস্থা ঘটিছিল। তেওঁলোকৰ শুদ্ধ সত্ব আত্মা-দৰ্পণত কৃষ্ণ প্ৰতিবিম্বিত হৈছিল; বিষয় বিষ-জঞ্জালৰ কৰ্ণাবৰণ অপসাৰিত হৈ কৰ্ণই কৃষ্ণাহ্বানৰ ধ্বনি শুনি গ্ৰহণ কৰিবৰ নিমিত্তে প্ৰস্তুত হৈ পৰিছিল। মুঠতে আজিকালিৰ কথাৰ গতেরে কবলৈ গলে, তেওঁলোকৰ কৰ্ণেন্দ্ৰিয়-সংলগ্ন হৃদয়-যন্ত্ৰই জগদগুৰুৰ বেতাৰ বাৰ্ত্তা ধৰিবৰ উপযোগী হৈ পৰিছিল দেখি সেই বাৰ্ত্তা বা শুনি—বাণী বা আহ্বানস্বৰূপ তেওঁলোকে কৃষ্ণৰ বংশী ধ্বনি

> "শুনি কামে উন্মাদন হৈয়া গোপীগণে।
> দিনেক নাৰৰ গীত ধ্বনি নিৰীক্ষণে॥
> কণত কুণ্ডল দোলে বেগত হাণ্টিতে।
> চিত্তত ধৰিবে কৃষ্ণে চলে অলক্ষিতে॥
> কতো গোপী যায় গাই দোহনক এৰি।
> আখাতে থাকিল দুগ্ধ চৰু সৈতে পৰি॥
> পীয়াস্তে আছিল শিশু তাহাকো নগণি।
> পতি শুশ্ৰূষাকো এৰি যায় কতোজনী॥
> কতো গোপী আছিল স্বামীৰ পৰশন্তে।
> আধা ভুঞ্জা হুয়া কতো যাব লৰৰন্তে॥
> কৃষ্ণৰ শ্ৰৱণে যেন হৰিদাসগণে।
> এৰে কাম্য কৰ্ম্ম সবে তদগত মনে॥
> কৃষ্ণে হৰিলন্ত চিত্ত হৰাইল চেতন।
> পিন্ধয পাৰত নিয়া বস্ত্ৰৰ কঙ্কণ॥
> হাতত নূপুৰ আৰে কণ্ঠালত হাৰ।
> কৰি বিপৰ্য্যয় পিন্ধে বস্ত্ৰ অলঙ্কাৰ॥
> তথাপি কৃষ্ণক পাইল গোপিকাসকল।
> ভকতৰ কৰ্ম্ম যেন নভৈল বিফল॥
> নিবাৰয পতি-পুত্ৰ ভ্ৰাতৃ আগে ভেণ্টে।
> গোবিন্দে হৰিল চিত্ত তথাপি নোলটে॥
> বিমোহিত হুয়া সবে লৰৰে গোপিনী।
> হৰিভকতক যেন নলঙ্ঘে বিধিনি॥
> যাইবে নপাই গৃহমধ্যে কতো গোপীগণ।
> মনে ধৰি কৃষ্ণক কৰিল আলিঙ্গন॥
> অনেক জন্মৰ কৰ্ম্ম-বন্ধ কৰি ক্ষীণ।
> এৰি তনু তেখনে কৃষ্ণত গৈল লীন॥"

বাৰু ভাবি চোৱাচোন—শাৰদোৎফুল্ল মল্লিকা সেই পূৰ্ণিমা ৰাতি শ্ৰীকৃষ্ণৰ বংশীধ্বনি অকল গোপীসকলে যে শুনিবলৈ পালে, তেওঁলোকৰ পতি পুত্ৰাদি আন মানুহে শুনিবলৈ নাপালে কিয়? সেইসকলে শুনাহেঁতেন এনে সুমধুৰ বংশীধ্বনিত তেওঁলোকো "কৃষ্ণাপহৃতা চিত্ত" হৈ বৃন্দাবনলৈ নৰিলেহেঁতেন কিন্তু তেওঁলোক অলৰ-অচৰ কাৰণে তেওঁলোকৰ মন আৰু কাণ সেই ধ্বনিৰ আহ্বান শুনিবৰ উপযোগী নাছিল। তেওঁলোকৰ কলুষিত মন কাণে সেই বেতাৰ ধ্বনি বা নাদ গ্ৰহণ কৰিব পৰা অৱস্থাত নাছিল।

গীতাৰ প্ৰধান শিক্ষা ত্যাগ। কিন্তু সি বাহ্যিক ত্যাগ নহয়, কায বাক্য মনেৰে ত্যাগ। সেইদেখি ভগৱন্তই কৈছে—

> "কৰ্ম্মেন্দ্ৰিয়াণি সংযম্য য আস্তে মনসাস্মৰণ।
> ইন্দ্ৰিয়াৰ্থান বিমূঢ়াত্মা মিথ্যাচাৰ: স উচ্যতে॥"

অৰ্থাৎ যি কৰ্ম্মেন্দ্ৰিয় সংযত ৰাখি অৰ্থাৎ বাহ্য কৰ্ম্মৰ ত্যাগ দেখুৱাই মনৰ ভিতৰত ইন্দ্ৰিয়বোৰৰ বিষয়-শব্দ স্পৰ্শৰূপৰসগন্ধ আৰু সেইবোৰৰ নানা বিকাৰত চিন্তা স্থাপন কৰে, সি কপটাচাৰী, দাম্ভিক আৰু মূঢ়। কিয়নো, সেই ত্যাগ আচল ত্যাগ নহয়। মনৰ ত্যাগেই আচল ত্যাগ। "মন এব মনুষ্যানাং কাৰণং বন্ধ মোক্ষযো:।" মনেই মানুহৰ বন্ধন আৰু মুক্তিৰ হেতু। ভক্ত কবীৰে কৈছে—

> "মনকে হাৰে হাৰিয়াঁ মনকে জীতে জীত।
> পৰমব্ৰহ্মকো পাইয়াঁ মনহীকে পৰতীত।"

অৰ্থাৎ মনৰ পৰাজযতে পৰাজয় আৰু মনৰ জয়তে মনৰ প্ৰতীতিতে পৰম ব্ৰহ্মক পোৱা যায়। ইয়াৰ গূঢ়াৰ্থৰূপে কব পাৰি যে যি শব্দ ব্ৰহ্ম অৰ্থাৎ ৰাম-কৃষ্ণাদি নামত মন লয় কৰিব পাৰিব, সি বাহ্য কৰ্ম্মবোৰ কৰি থাকিলেও জীৱন মুক্ত। আৰু যাৰ মন বিষয়ত বুৰি থাকিব, সি সেই বিষয়-কৰ্ম্ম পৰিত্যাগ কৰিলেও মুক্ত নহয। সেই দেখি ভগৱন্তই গীতাত কৈছে—

> যস্তিন্দ্ৰিয়াণি মনসা নিয়ম্যাৰভতেঽৰ্জ্জুন।
> কৰ্ম্মেন্দ্ৰিয়: কৰ্ম্মযোগমসক্ত: স বিশিষ্যতে॥

অৰ্থাৎ হে অৰ্জ্জুন। যি মনৰ দ্বাৰাই ইন্দ্ৰিয়ক সংযত কৰি কৰ্ম্মেন্দ্ৰিয়বোৰৰ দ্বাৰাই কৰ্ম্মৰ অনুষ্ঠান কৰে, তেওঁ অনাসক্ত আৰু তেওঁ বিশিষ্ট। যি ইন্দ্ৰিয়ৰ যি বিষয়, সেই সেই বিষয়ৰ ফালে যোৱাই ইন্দ্ৰিয়-বোৰৰ স্বধৰ্ম্ম অৰ্থাৎ স্বভাৱ। মনেই সিহঁতৰ সহায়ক আৰু চালক। সেইদেখি মনক কোনো

বিশেষ বস্তুত লগাই ৰাখিব পাৰিলে, ইন্দ্ৰিয়বোৰে আৰু আনকালে যাব নোৱাৰি সংযত হৈ পৰে, আৰু বিষয়বোৰে সৈতে সিহঁতৰ সম্বন্ধ স্থাপিত নহয়। এনে অৱস্থাত কৰ্ম্ম কৰিলেও অনাসক্তিৰ নিমিত্তে কৰ্ম্মফলত আবদ্ধ হব নালাগে আৰু জ্ঞানময় আত্মাত মন স্থিত হৈ মানুহ প্ৰকৃত জ্ঞানী হয়। সেই বিশেষ বস্তুৰেই হৈছে অনাহত ধ্বনি শ্ৰৱণ অৰ্থাৎ উচ্চাৰিত বা অনুচ্চাৰিত ৰাম-কৃষ্ণ নাম কৰ্ণাঙ্গুলিৰে পান। তেনেহলেই মন আৰু চিত্ত লাহে লাহে শুদ্ধ হৈ আত্মাত লীন হয়। এই লীনাৱস্থাকে জ্ঞানাৱস্থা বা সিদ্ধাৱস্থা বোলে। "মন এব মনুষ্যানাং কাৰণং বন্ধ মোক্ষয়োঃ।" মনক বান্ধি বশলৈ আনি তাক প্ৰকৃত বাটেদি চলিবলৈ দিয়াই পুৰুষৰ পুৰুষাৰ্থ। সেইদেখি দুইজনা মহাপুৰুষে কৈছে—

"মন, ৰাম বোল, ৰাম বোল, ৰাম বোল ৰাম।
চিত্ত চিত্ত অ চতুৰ্ভুজ হৰি॥"

"হে মন তোৰ কাম সঙ্কল্প বিকল্প ধৰ্ম্ম,
ত্যজি মিছা কামনা সকল।
সদায় সঙ্কল্প মাত্ৰ কৰিয়ো সুহৃদ মন
কৃষ্ণনাম পৰম মঙ্গল॥"

পৰিহাসত শ্ৰীকৃষ্ণ

শ্ৰীমন্ত শঙ্কৰদেৱে "কীৰ্ত্তন"ত লেখিছে—

"ৰুক্মিণীক কৰিলাহা প্ৰেমে পৰিহাস।
ভয়তে ভৈলন্ত দেৱী প্ৰাণতো নৈৰাশ॥"

পৰিহাসক তোমালোকে ঠাট্টা বোলা তামাচা বোলা যি বোলা বোলাহঁক, কিন্তু তাক হংস ৰাণীয় কৰি তাৰ বংশ নিৰ্ব্বংশ নকৰিবাহঁক। আনকি তাক পেংলাই বা ইতিকিং নাম দি গ্ৰাম্য শব্দৰ শাৰীলৈকো নমাবাহঁক। মন গলে, কৌতুক পৰ্য্যন্ত বুলিব পাৰা, তাত মোৰ আপত্তি নাই। ৰুক্মিণী শ্ৰীকৃষ্ণৰ প্ৰধান মহিষী, "ৰূপে গুণে জগততে ধন্যা," আৰু শ্ৰীকৃষ্ণৰ উপযুক্ত পত্নী। তেওঁৰ ওচৰ এৰি কৃষ্ণ এখোজো কলৈকো নাযায়। গতিকে ৰুক্মিণীৰ মনত অলপ গৰ্ব্ব হল। অন্তৰ্য্যামী ভগৱন্ত কৃষ্ণই সেই কথা নাজানি থকাটো অসম্ভৱ। তেওঁ দৰ্পহাৰী। গোকুলৰ গোপীসকলৰো মনত (যাতকৈ তেওঁৰ প্ৰিয়তম কোনো নাই) গৰ্ব্বৰ লেশ থকাটো দেখিয়েই তেওঁ বুজিলে,—অৰ্থাৎ "আমি নন্দ-নন্দনৰ পৰম সোহাগিনী; তেওঁ সকলোতকৈ আমাক ভাল পায়, এতেকে আমি শ্ৰেষ্ঠ"—তেতিয়াই তেওঁ অন্তৰ্দ্ধান হৈ গোপীসকলৰ গৰ্ব্ব খৰ্ব্ব কৰি দিলে। তেওঁ ভকতৰ বশ্য ঠিক; ভকতক তেওঁ ভাল পায়, সেইটোও ঠিক;—সেইদেখি গৰ্ব্বৰ চেকা লাগি যাতে ভকতৰ মন মলিয়ন নহয়, তাৰ তেওঁ তেতিয়াই যাঁতৰ কৰি দিয়ে। এই নিমিত্তে তেওঁ ৰুক্মিণীক পৰিহাস কৰি গোটাচেৰেক কথা কলে, যি কেইটা কথা আমি আজি এই প্ৰবন্ধত তুলি দিম। তাৰ আগতে আমাৰচেৰেক আন কথা কৈ লওঁ।

ঠাট্টা-তামাচা, অথবা কৌতুক, যাক পৰিহাসৰ ওচৰচুবুৰীয়া ভাগিনি স্বৰূপে ব্যৱহাৰ কৰিব পাৰি, অনেকে নুবুজে। পৰিহাস নুবুজাক মূৰ্খ বুলিব নোৱাৰি। কাৰণ, পণ্ডিতৰো পণ্ডিত, বিদ্বানৰো বিদ্বান, বুদ্ধিমন্তকেও বুদ্ধিমন্ত, এনে অনেক লোক আছে, যি ঠাট্টা-তমাচা বুজিব নোৱাৰে। ইংৰাজীত যাক wit and humour বোলে, এনে মানুহকো অনেক দেখিছো, যাৰ বুদ্ধি কুলাই পাচিয়ে নধৰে। "গহীন গম্ভীৰ ধীৰমতি" অনেক আছে, যাৰ বুদ্ধি বেথীটো যেন জোঙা, কিন্তু wit and humour বুজিবৰ বেলিকা সি ডাঙৰ কথাকে নকওঁ, সুৰ নকটা ভোটা খুৰখন যেন হয়। অৱশ্যে সেইবাবেই যে সেই শাৰীৰ মানুহ "বদি মাল" হয় এনে নহয়। সংসাৰৰ গতিটোৱেই এনেকুৱা। তেওঁলোকক হাতত লৈ শাণত দিয়ো যে ডাঙৰ গোটৰ আলু-কলপুলি তুলিব নোৱাৰি, এইটোৱেই মাথোন দুখৰ কথা। এই লেখক যেতিয়া 'বাঁহী' কাকতৰ সম্পাদকৰ পদীত আছিল, তেওঁৰ মনত আছে, অনেকে বাঁহীত প্ৰবন্ধ ছাপিবলৈ তেওঁলৈ পঠিয়াওঁতে তেওঁলৈ ভিতৰুৱাকৈ লেখিছিল,—যেন তেওঁৰ মতামত দিওঁতে সেই প্ৰবন্ধৰ বিষয়ে ঠাট্টাকৈ কোনো কথা লেখা নহয়। wit আৰু humour অৰ বেহা-বেপাৰ কৰোঁতাৰ বিপদেই এনেকুৱা। মতাহঁতে ঘৰৰ দুৱাৰ দাং নকৰিলেও ওচৰ-চুবুৰীয়া ৰৰলাৰ গাত দায় পৰা কথাযাৰ ঠাৰি নথকাকৈ এনেই কথাৰ গছত লগা নাই বোলা কথাযাৰতো ঠাৰি আছে।

গৰ্ব্ব-খৰ্ব্বৰ কথা এৰি সাধাৰণ ভাৱে কবলৈ গলে,—শ্ৰীকৃষ্ণই ৰুক্মিণীৰে সৈতে প্ৰেম-পৰিহাস কৰিছিল। প্ৰেমিক গিৰিয়েকে ঘৈণীৰ সৈতে এনে প্ৰেম পৰিহাস কৰিয়েই থাকে আৰু সেইটো মনুষ্য সৃষ্টিৰ কালৰে পৰা চলি আহিছে। [illegible] কথাৰে কবলৈ গলে, সি দম্পতি-কলহৰে খোপ-চেৰেক ওপৰত থকা মুখচুপতি। চুপতিৰ উত্তৰ চুপতি। তাকে নুবুজি যি চুপতিৰ উত্তৰ চুপতিয়ে দিব নোৱাৰি মুখখন "প্ৰসন্ন বদন যেন ভাদৰৰ ভৰা" কৰে, সি সকলো মাটি কৰে। তেতিয়া হাস্যৰস কৰুণত পৰিণত হয়। পৰিহাসৰ

আনন্দময় অভিনয়ে দুৰ্ঘটনাৰ সমুদ্ৰত পৰি হবু-ৰবাবলৈ ধৰে। চুপতিৰে চুপতিক মোখোৰা পিন্ধাব নজনা মানুহে মৰণাৰ ওপৰত যিমানকৈ গৰু ঘূৰাওক, তলত পৰা ধানৰ পৰালি পৰিবই। সত্যভামাৰ দৰে ৰুক্মিণী কৃষ্ণৰ জাতৰ কুলৰ আৰু স্বদেশৰ তিৰোতা নহয়। তেওঁ ৰূপ গুণত অনিন্দিতা বা সৰ্ব্বগুণালঙ্কৃতা ঠিক, কিন্তু বিদেশিনী। কোনে জানে, কিজানি সেইদেখিয়েই সেই গোলমালৰ আৰম্ভ। গুজৰাটৰ wit and humour বিদৰ্ভত মুকলমে নচলিব কিজানি।

শ্ৰীকৃষ্ণ ৰুক্মিণীৰ সুপ্ৰসিদ্ধ ঘৰত বহুময় পালঙ্কৰ ওপৰত শুই আছে আৰু ৰুক্মিণীয়ে হাতত বিচনী লৈ তেওঁক বিচি আছে। এনেতে তেওঁৰে সৈতে শ্ৰীকৃষ্ণৰ প্ৰেম পৰিহাস কৰিবৰ মন গল। তেওঁ ৰুক্মিণীৰ ফালে চাই মিচিকীয়া হাঁহি মাৰি কবলৈ ধৰিলে—"হে ৰাজপুত্ৰি। লোকপালসকলৰ নিচিনা বিভূতিশালী, মহানুভৱ, ধনৱন্ত, শ্ৰীমন্ত আৰু ৰূপ, গুণ, বলেৰে বিভূষিত ৰজাসকলে তোমাক পাবলৈ প্ৰাৰ্থনা কৰিছিল। মদোন্মত্ত শিশুপালেও তোমাক বিয়া কৰাবলৈ আহিছিল। তোমাৰ ককাইদেৱা আৰু পিতৃদেৱতায়ো তোমাক শিশুপাললৈ দিব খুজিছিল, তথাপি তুমি তেনেকুৱা ৰজাসকলক এৰি মোৰ নিচিনা পাত্ৰত বিয়া সোমালা। মই জৰা-সন্ধাদি ৰজাৰ ভয়ত পলাই গৈ সমুদ্ৰৰ ভিতৰত দুৰ্গত বাহ লৈ আছোঁ আৰু যি কোনো প্ৰকাৰেৰে হওক ৰাজসিংহাসন এৰি দিছোঁ। যিবোৰ মানুহৰ আচৰণ বুজিব নোৱাৰি আৰু তিৰুতাৰ যিবোৰ পৰতন্ত্ৰ নহয়, তিৰুতাই তেনে মানুহৰ পাছ ললে দুখত পৰে। মই নিঃকিঞ্চন দুখীয়া। দুখীয়া নিঃকিঞ্চনেহে মোক ভালপায়। ধন, জন, জন্ম, আকৃতি প্ৰকৃতি আৰু প্ৰভাৱত যি সমান সমান, তেনে মানুহৰ ভিতৰতহে বন্ধুতা আৰু বিবাহৰ সম্বন্ধ খাট থাকে। উত্তম অধম, বৰ সৰুৰ ভিতৰত কেতিয়াও পৰিণয় বা মিত্ৰতা হব নোৱাৰে। হে বিদৰ্ভ-নন্দিনী। তুমি দূৰদৰ্শিনী নোহোৱা। মই যিবোৰ কথা কলোঁ, সেইবোৰ নজনাকৈ তুমি গুণহীন মোক বৰণ কৰিলা। ভিকহুৱেহে মোক মিছাতে প্ৰশংসা কৰে। যাৰে সৈতে চিৰকাল গৃহবাস কৰি তুমি ইহকাল আৰু পৰকালত সুখ লাভ কৰিব পাৰিবা, এতিয়াও বৰং তোমাৰ সমতুল্য তেনে কোনো লোকক ভজা। শিশুপাল, শাল্ব, জৰাসন্ধ, আৰু দন্তবক্ৰাদি ৰজাসকলে আৰু তোমাৰ ককায়েৰা ৰুক্মীয়েও মোক দেখিব নোৱাৰে। মই অসৎ লোকৰ তেজ হৰি নিও। সেই ৰজাবিলাক বীৰ্য্যমদত অন্ধ আৰু দৰ্পিত হৈ পৰিছিল দেখি মই তেওঁলোকৰ গৰ্ব্ব খৰ্ব্ব কৰি তোমাক হৰি আনিছিলো। মই দেহ আৰু গৃহ এই দুই বিষয়ত উদাসীন, স্ত্ৰী, পুত্ৰ বা ধন কামনা নকৰোঁ। আত্মলাভতে মই পূৰ্ণ। সেইদেখি চাকিৰ পোহৰৰ নিচিনা ক্ৰিয়াৰহিত।

স্বামী কৃষ্ণৰ এই কথা শুনি ভয়তে ৰুক্মিণী কঁপিবলৈ ধৰিলে। তেওঁৰ মুখৰ মাত হৰিল আৰু তেওঁ বিমূৰ্চ্চিত হৈ পৰিল। উপহাসৰ গভীৰতা তেওঁ নুবুজিলে। এনে গুঢ় পৰিহাসৰ তেওঁ যোগাও নাছিল। ৰুক্মিণীৰ এনে দশা দেখি—

"চতুৰ্ভুজ হয়া হৰি তুলি আকোৱালি।
ৰুক্মিণীক আশ্বাস কৰিলা বনমালী।"

তেওঁ কলে, "হে সুন্দৰি। মোৰ ওপৰত খং নকৰিবা। মই জানো, তুমি মোৰ বাহিৰে আন কাকো নাজানা। মই তোমাৰ মুখৰ পৰা আধাৰ-চেৰেক চোকা চোকা কথা শুনিবলৈ পাম বুলি আৰু প্ৰণয় কোপত ৰঙা পৰা সুন্দৰ মুখখন দেখিবলৈ পাম বুলিহে এনেকৈ ঠাট্টা কৰি কথা কৈছিলোঁ। গৃহস্থাশ্ৰমত গৃহস্থই প্ৰিয়াৰে সৈতে এইদৰে হাঁহি-মাতি পৰিহাস কৰি কথা কৈ যে কটায়, সেয়ে তেওঁ-লোকৰ পৰম লাভ।"

এনে আশ্বাস বাক্য শুনি লাহে লাহে ৰুক্মিণী প্ৰকৃতিস্থ হল। তেতিয়া তেওঁৰ মুখত কথা ফুটিল আৰু কৃষ্ণৰ কথাৰ প্ৰকৃত মানে উপলব্ধি কৰি লাহে লাহে তেওঁ কবলৈ ধৰিলে। "হে কমললোচন। আপুনি যে কলে, মই ভগৱান অসমান-বিগ্ৰহ আৰু তুমি মোৰ সাদৃশা নোহোৱা, এই কথা সঁচা; কাৰণ ব্ৰহ্মাদি তিনিওজনৰ অধীশ্বৰ, নিজ মহিমাৰে বিমণ্ডিত আপুনিয়েই বা ক'ত আৰু গুণ-প্ৰকৃতি অথচ মূঢ়-সকলৰ পূজনীয়া ময়েই বা ক'ত? হে প্ৰভু। আপুনি নিৰৱচ্ছিন্ন জ্ঞানঘন আত্মা। ৰজাবোৰৰ ভয়তেই যেন আপুনি সমুদ্ৰৰ ভিতৰত শয়ন কৰিছে, এই কথাও সঁচা। যিবোৰৰ ইন্দ্ৰিয় বহিৰ্মুখ, আপুনি সদায় সেইবোৰক বিদ্বেষ কৰে। ৰাজপদ গাঢ় অজ্ঞান। আপোনাৰ সেৱকসকলেই যেতিয়া তেনে পদ পৰিত্যাগ কৰিছে, তেতিয়া আপোনাৰ পক্ষে সি কোন কথা? আপোনাৰ পাদ-পদ্মৰ মকৰন্দ-সেৱী মুনিসকলৰ আচৰণেই দুৰ্ব্বোধ। নৰ-পশুবোৰে তাক কি বুজিব? যিসকলে আপোনাৰ অনুবৰ্ত্তন কৰে, সেই সকলৰ চৰিত্ৰই যেতিয়া অলৌকিক, আপোনাৰ কথা আৰু কি কম? যি ব্ৰহ্মাদিয়ে আনৰ পৰা পূজা পায়, তেওঁলোকেও আপোনাৰ পূজাৰ উপহাৰ আনে; এতেকে আপুনি নিঃ-কিঞ্চনেই নহয়। অৱশ্যে আপুনি একপ্ৰকাৰ নিঃ-কিঞ্চনেই; কাৰণ আপোনাৰ বাহিৰে আন একোৱেই নাই। ধন-মদান্ধ মানুহে আপোনাক অন্তক বুলি জানিব নোৱাৰে। আপুনি যে বলী ভোজীসকলৰ

শ্ৰেষ্ঠ, তেওঁলোকেও আপোনাক নাজানে। সুবুদ্ধি-সকলে যাক অভিলাষ কৰি সকলোকে পৰিত্যাগ কৰে, আপুনি সেই যাৱতীয় পুৰুষাৰ্থ আৰু পৰমাত্মা-স্বৰূপ। এতেকে হে প্ৰভু! ব্ৰহ্মাদিৰে সৈতে সম্বন্ধেই আপোনাৰ যোগ্য। স্ত্ৰী-পুৰুষৰ দৰে সম্বন্ধ আপোনাৰ যোগ্য নহয়; কাৰণ আমি সুখ-দুখত আকুল। দণ্ড পৰিত্যাগী মুনিসকলেই আপোনাৰ অনুভাৱ জানে। আপুনি জগতৰ আত্মা আৰু আত্মপ্ৰদ। ইয়াকে জানি ব্ৰহ্মাদিক পৰিত্যাগ কৰি মই আপোনাক বৰণ কৰিছোঁ। আপোনাৰ দুই ভ্ৰুৰ মাজৰ পৰা যি কালৰ উৎপত্তি হৈছে, তাৰ দ্বাৰাই সিহঁতৰ মঙ্গল নষ্ট হৈছে, আনৰ কথা কি? হে প্ৰভু! সিংহৰ গৰ্জ্জন শুনি যেনেকৈ পশুৰ পাল দূৰলৈ পলায়, আপোনাৰ সাৰঙ্গ ধনুৰ টংকাৰত ৰজাবোৰ পলালত, আপুনি আপোনাৰ অংশ মোক হৰণ কৰি আনিলে। তেনে আপুনি যে সেইবোৰ ৰজাৰ ভয়ত সমুদ্ৰৰ শৰণ লৈ তাত দুৰ্গ সাজি আছে, এইটো অসম্ভৱ। অঙ্গ, পৃথু, ভৰত, যযাতি আৰু গয় প্ৰভৃতি ৰাজচূড়ামণিসকলে আপোনাৰ চৰণ-কমল ভজনা কৰিবৰ নিমিত্তে নিজৰ নিজৰ একাধিপত্য ৰাজ্য পৰিত্যাগ কৰি বনত সোমাই কি কষ্টকে পাইছিল। তেনে তুচ্ছ ৰাজ্যৰ অধিপতি হবলৈ আপুনি যাব কেলৈ? আপোনাৰ পাদ-পদ্মৰ সৌৰভ লক্ষ্মীৰ সেব্য। সাধুসকলৰ দ্বাৰাই বৰ্ণিত আৰু মানুহৰ মোক্ষপ্ৰদ। তেনে গন্ধ অঘ্ৰাণ কৰি যাৰ নিজ প্ৰয়োজনৰ কালে দৃষ্টি আছে, এনে কোন তিৰুতাই মৰণশীল আৰু সদায় ভয়ভীত আনক আশ্ৰয় কৰিব? আপুনি জগতৰ অধীশ্বৰ আৰু আত্মা, ইহকাল পৰকালৰ বন্ধু। সেইদেখি মই আপোনাক বৰণ কৰিছিলো। মই দেৱতা আৰু তিৰ্য্যক আদি নানা পথত ভ্ৰমণ কৰি এতিয়া আপোনাৰ পাদ-পদ্মত শৰণ লৈছোঁ। যি আপোনাক ভজনা কৰে, আপুনি তাক নিজৰ কৰি লয় আৰু আপোনাৰ পৰাই তাৰ সংসাৰ বন্ধন নাশ হয়। হে প্ৰভু! ব্ৰহ্মা, শিৱৰ সভাত আপোনাৰ যি কথা গীত হয়, সেই কথা যি যি হতভাগিনীৰ কাণত সোমোৱা নাই, আপোনাৰ দ্বাৰাই উপদিষ্ট ব্যক্তিসকলৰ আৰু স্ত্ৰীসকলৰ ঘৰত গাধা, গৰু, কুকুৰ, মেকুৰী আৰু চাকৰৰ দৰে আচৰণকাৰী অপকৃষ্ট ৰজাবোৰৰে সৈতে তাৰ বিয়া হওক। আপোনাৰ চৰণাৰবিন্দৰ মকৰন্দ আঘ্ৰাণ কৰিও যি জনী তিৰুতা মূঢ় হৈছে, তাই গাৰ ওপৰত ছাল, ডাড়ি, নোম, নখ, চুলিৰে আবৃত আৰু ভিতৰত মাংস, অস্থি, ৰক্ত, কৃমি, বিষ্ঠা, কফ, পিত্ত, বাত আদিৰে পৰিপূৰ্ণ জীয়া শৱটোক পতি বুলি ভজনা কৰে। আপুনি আত্মাৰাম। মোৰ প্ৰতিও আপোনাৰ সৰহ দৃষ্টি নাই তথাপি হে পদ্মপলাশলোচন! আপোনাৰ চৰণত মোৰ যেন ৰতি হয়। আপুনি এই জগৰ বৃদ্ধিৰ নিমিত্তে উৎকৃষ্ট ৰজোগুণ ধাৰণ কৰি মোৰ প্ৰতি যি কটাক্ষ কৰিব, তাকেই মই মোৰ প্ৰতি আপোনাৰ অনুকম্পা বুলি জানিম। আপুনি যে কৈছিল,— 'তুমি তোমাৰ অনুৰূপ কোনো ক্ষত্ৰিয় শ্ৰেষ্ঠক বৰণ কৰা'—সেইটোও মিছা নহয়; কাৰণ জগতত কোন তিৰুতাই নিজৰ স্বামী থাকোঁতে পৰপুৰুষৰ প্ৰতি আসক্ত হয়? দেখক, কাশিৰাজৰ জীয়েক অম্বা শাল্ব ৰজাৰ প্ৰতি অনুৰক্তা হৈছিল। পৰিণীতা হলেও বেশ্যাৰ মন নতুন নতুনত আসক্ত হয়। যি পণ্ডিত, তেওঁ কেতিয়াও অসতীক বিয়া নকৰায়। কৰিলে তেওঁৰ ইহকাল পৰকাল নষ্ট হয়।"

ৰুক্মিণীৰ এই উত্তৰ শুনি শ্ৰীকৃষ্ণই কলে, "ইয়াকে শুনিবলৈকেহে মই তোমাক জোকাই লৈছিলোঁ। তুমি যি কলা, নিশ্চয় সত্য। মই কথাৰে তোমাৰ খং তুলিছিলো; তথাপি তোমাৰ মন মোৰ পৰা দূৰীভূত নহল। তুমি নিষ্পাপ আৰু পৰম পতিব্ৰতা।ময়ে মুক্তি আৰু সকলো সম্পত্তিৰ অধীশ্বৰ। যি মোক লাভ কৰিবৰ নিমিত্তে মাথোন সম্পত্তি পাবৰ প্ৰাৰ্থনা কৰে, সি মন্দভাগ্য। নিকৃষ্ট যোনিতো সম্পত্তিৰ উপভোগ হব পাৰে। যাৰ মন বিষয়তেই নিবিষ্ট, নিকৃষ্ট যোনি-সঙ্গম 'তাৰ শোভা-সাধন। এতেকে হে গৃহেশ্বৰি! তুমি যে বাৰে বাৰে মোৰ নিষ্কাম পৰিচৰ্য্যা কৰিছা, ই অতি মঙ্গলৰ বিষয়। মই গৃহস্থাশ্ৰমত তোমাৰ নিচিনা প্ৰণয়িনী গৃহিণী দেখিবলৈ পোৱা নাই। তুমি মোৰ প্ৰশংসা লোকৰ মুখৰ পৰা শুনি বিবাহৰ সময়ত অভ্যাগত ৰজাসকলক অগ্ৰাহ্য কৰি, অতি গুপ্তভাৱে পত্ৰ লেখি মোৰ কাষলৈ কটকী পঠিয়াই-ছিলা। যুদ্ধত পৰাজিত ককাইদেৰৰ মূৰ খুৰাই তেওঁক কুৰূপ কৰিছিলো আৰু মোৰ নাতি অনিৰুদ্ধৰ বিয়াত মৰাইছিলো। সেইবোৰ মনত পৰি বাৰে বা.ৰ তোমাৰ মনকষ্ট হৈছে। পিছে মোৰে সৈতে বিচ্ছেদ ঘটে, এই ভয়ত সেইবোৰ তুমি সহ্য কৰিছা, একোকে মতা নাই; ইয়াৰ দ্বাৰাই তুমি মোক বশীভূত কৰিলা। মোৰ পৰা সংবাদ লৈ বিপ্ৰ দূতজন তোমাৰ কাষ পোৱাত বেলি হোৱা দেখি তুমি জগত এন্ধাৰ দেখিছিলা আৰু তোমাৰ শৰীৰকে পৰিত্যাগ কৰিব খুজিছিলা, এতেকে মই তোমাৰ ধাৰ শুজিব নোৱাৰোঁ। তোমাৰ পৰিতুষ্টি সাধন কৰিবৰ যত্ন সদায় কৰিম।"

ঈশ্বৰ শ্ৰীকৃষ্ণ

ভগৱন্ত-বস্তুক সগুণভাৱেহে চিন্তা উপাসনা কৰি পাৰ পাৰি, নিৰ্গুণভাৱে নোৱাৰি। তেওঁ অৱশ্যে নিৰ্গুণ, সগুণ দুইটা। নিৰ্গুণভাৱে তেওঁ অদ্বৈতবাদীৰ অবাঙ্মনসগোচৰ, বাক্য মনৰ অতীত,

কালৰ অতীত। সগুণভাৱে তেওঁ সকলোৰে আৰাধ্য, সকলোৰে উপলব্ধি আৰু উপভোগৰ বস্তু। সগুণভাৱেই তেওঁ পৃথিৱীৰ সকলো প্ৰচলিত ধৰ্ম্মৰ প্ৰতিপাদ্য বিষয়। ইহুদী ধৰ্ম্মত এই সগুণ ভগৱন্তক জিহোৱা বোলে, মছলেম ধৰ্ম্মত আল্লা বোলে, খৃষ্টীয় ধৰ্ম্মত গড বোলে। পুৰণি গ্ৰীকসকলে জিয়ুস বুলিছিল, ৰোমানসকলে জুপিটাৰ বুলিছিল, পাৰসীকসকলে অহুৰমজ্দ বোলে। এই এটাইবোৰ শব্দ ভগৱন্তৰ একোটা বিশেষ গুণবাচক। জিয়স, জোভ, জুপিটাৰ (ভাৰতীয় আৰ্য্যসকলৰ আৰ্য্য বা সংস্কৃত ভাষাত যি ডায়ুস্-পিতাৰ) প্ৰায় একে অৰ্থবাচক শব্দ। এই শব্দই ভগৱন্তৰ ক্ষমতা, শক্তি আৰু অস্তিত্ব প্ৰকাশ কৰে। দ্যায়স্-পিতাৰ বা জুপিটাৰ আকাশৰ দেৱতা। তেওঁৰ অস্ত্ৰ বজ্ৰ। তেওঁ ঋতুবিলাকৰ পৰিবৰ্ত্তন কৰে, পোহৰ নিয়মিত কৰে অৰ্থাৎ সংক্ষেপতে জানিবা আমাৰ ইন্দ্ৰ। গড্ টিউটনসকলৰ ভগৱন্তবাচক শব্দ। টিউটন্‌বোৰ খৃষ্টান হোৱাৰ পিছতো তেওঁলোকে তেওঁলোকৰ ভগৱন্তবাচক এই শব্দটো ৰাখিলে। আদিতে এই শব্দটো ক্লীবলিঙ্গ আছিল আৰু বহুবচনত ব্যৱহাৰ কৰা হৈছিল অৰ্থাৎ টিউটন্‌সকলৰ বহু দেৱদেৱীক এই শব্দেৰে বুজোৱা হৈছিল। পিছত খৃষ্টানবিলাকে ইয়াক এক ভগৱন্তবাচক কৰি ওপৰলৈ তুলিলে। সাধাৰণতঃ 'গুড্' অৰ্থাৎ ভাল, মঙ্গল শব্দৰ পৰা 'গড্' হৈছে বুলি মানুহৰ বিশ্বাস আছে, কিন্তু এইটো ঠিক নহয়। কাৰণ হিথেন (Heathen Conception of deity) অৰ্থাৎ খৃষ্ট ধৰ্ম্মপ্ৰচাৰৰ আগেয়ে অখৃষ্টানসকলৰ ভগৱন্তৰ সম্পৰ্কে the notion of goodness অৰ্থাৎ মঙ্গলৰ ধাৰণা বৰ স্পষ্ট নাছিল। যি হওক খৃষ্টানবিলাকৰ The one Supreme or Absolute Being এক শ্ৰেষ্ঠ আৰু অদ্বিতীয় ভগৱন্তৰ ধাৰণা এই শব্দৰ ভিতৰত সোমাল। Divinity, Deity, দেৱতা এই ধাৰণাই গডৰ আদি আৰু ধাই ধাৰণা যে তাত সন্দেহ নাই। মুঠতে কবলৈ গলে জিহোৱা শব্দই ভগৱন্তৰ সত্তা, জিয়ুস শব্দই তেওঁৰ অমৰত্ব, জুপিটাৰ শব্দই তেওঁৰ মানুহৰ পিতৃত্ব, আল্লা শব্দই তেওঁৰ পজনীয়ত্ব, আৰু অহুৰমজ্দ শব্দই তেওঁৰ অপাপবিদ্ধত্ব প্ৰকাশ কৰে। ভগৱন্তৰ এই সকলো নামৰে অলপ-অচৰপ সাৰ্থকতা আছে। এই সকলো নামে তেওঁৰ একো একোটা গুণ প্ৰকাশ কৰে। কিন্তু ভাৰতবৰ্ষৰ মানুহে তেওঁক যি নামেৰে মাতে সেই নামটো যেনে সাৰ্থক তেনে এইবোৰ নহয়। ভাৰতবৰ্ষৰ মানুহে তেওঁক ঈশ্বৰ বোলে। ঈশ্বৰ শব্দটিয়ে ভগৱন্তৰ ঈশিত্ব, শক্তিমত্ত আৰু প্ৰভুভাৱ বুজায়। যিভাৱে তেওঁ জগতৰ বিধাতা, নিয়ন্তা, অসাধুক দণ্ড দিওঁতা, সাধুক পৰিত্ৰাণ কৰোঁতা, অধৰ্ম্মৰ গ্লানি দূৰীভূত কৰি ধৰ্ম্মসংস্থাপন কৰোঁতা, সৰ্ব্বজ্ঞ, সৰ্ব্বশক্তিমান, সেই ঈশ্বৰ্য ভাৱ এই ঈশ্বৰ শব্দটিত পৰিস্ফুট। এই ঈশ্বৰেই—একজনেই হিন্দুৰ ত্ৰিগুণাত্মক স্বকীয়া তিনি মূৰ্ত্তিৰ তিনিজন—ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ অথচ তিনিও একেজন। এই ঈশ্বৰেই কৰ্ম্মভেদত তেত্ৰিছ কোটী অথচ আচলতে একজন।

ঈশ্বৰৰ ঐশ্বৰ্য্যৰ সীমা নাই। ক্ষুদ্ৰ শক্তিৰ মানুহে সেই ঐশ্বৰ্য্যৰ ধাৰণা কৰাটোতো দূৰৰ কথা, ব্ৰহ্মা-হৰ-পুৰন্দৰেও তাৰ কোটী কোটী অংশৰ এক অংশৰও ধাৰণা কৰি ওৰ পেলাব নোৱাৰে।

"সহস্ৰ বয়নে গুণ গাৱত ভিনে ভিনে
বয়নে কৰত বখানা।
হৰিনাম গুণ যশ মহিমাক তবহু
অন্ত নাহি জানা॥
মহামুনি চতুৰ, চতুৰ বয়ন সুৰ
শঙ্কৰ মোহিত যাকেৰি মায়া।
চাৰি বেদ বিচাৰ কয় আৱত
যাকেৰি অন্ত নাপায়া॥
সনক সনাতন আদি যোগীগণ
যাকেৰি মহিমা নজানা।
হামু মুকুখমতি, কেমনে জানব হৰি,
গতি তুহু, মাধৱ গানা॥"

অনন্ত ঐশ্বৰ্য্যবান ঈশ্বৰৰ ঐশ্বৰ্য্য শক্তিৰ সমুদ্ৰৰ ভিতৰতে আমি বুৰি আছোঁ। কিন্তু সাগৰৰ মাছ এটাৰ পক্ষে যেনেকৈ মহান্ সমুদ্ৰৰ সমগ্ৰ ঐশ্বৰ্য্য ধাৰণা কৰাটো অসম্ভৱ, আমাৰ পক্ষেও এই মহান্ ব্যাপ্ত অনন্ত ঈশ্বৰৰ ঐশ্বৰ্য্যৰ ধাৰণা অসম্ভৱ। কিন্তু করুণাময় ঈশ্বৰে অশেষ করুণা কৰি আমাক তেওঁৰ ঐশ্বৰ্য্যসমূহৰ মাজত থৈ সেইবোৰ আমাৰ পক্ষে এনেকুৱা সহজপ্ৰাপ্য কৰি দিছে যে আমি সেই কথা নাভাবোঁৱেই। উদাহৰণ স্বৰূপে ধৰা, তেওঁৰ বিভূতি বতাহ-পানী আমি উপভোগ কৰি আনন্দেৰে জীয়াই আছোঁ কিন্তু সি অনায়াসলব্ধ, সহজপ্ৰাপ্য আৰু সৰ্ব্বসাধাৰণ দেখি, ঈশ্বৰৰ সকলো বিভূতিৰ ভিতৰত সেই দুটা মহাবিকাশ, সকলো দানৰ ভিতৰতে মহাদান যদিও—তথাপি আমাক সি তেওঁৰ বিষয়ে সততে মনত পেলাই দিবলৈকে কৃপণতাহে কৰে। কিন্তু সেই বতাহ আৰু পানীয়েই যেতিয়া প্ৰবল ৰূপ ধৰি সকলো উটাই-বুৰাই লণ্ডভণ্ড কৰি পেলায়, তেতিয়াহে আমাৰ মনৰ চকু ঈশ্বৰৰ সেই মহা ঐশ্বৰ্য্যৰ ফালে মুকলি হয়। ঈশ্বৰক উপলব্ধি কৰিবলৈ সেইদেখি তেওঁৰ ঐশ্বৰ্য্যৰ উৎকৰ্ষ যত তালৈ স্বভাৱতে আমাৰ চকু যায়। গীতাত সেইদেখি ভগৱন্তই জগতত শ্ৰেষ্ঠবস্তুবিলাকক তেওঁৰ বিভূতি বুলিছে। প্ৰত্যেক বিধৰ শ্ৰেষ্ঠ বস্তুবিলাকক তেওঁৰ বিভূতি বোলা মানে যে অশ্ৰেষ্ঠবিলাক তেওঁৰ

বিভূতি নহয় এনে নহয়, ইয়াৰ মানে এইটোহে যে প্ৰত্যেক বিশ্বৰ উৎকৰ্ষত তেওঁৰ সেই বিভূতি উৎকৃষ্ট-ৰূপে বিকশিত হোৱা বাবে তেওঁৰ সেই বিশ্বৰ সেই বিভূতি ঐশ্বৰ্য্য আমি আমাৰ ক্ষমতাৰে পূৰ্ণৰূপে ধাৰণা কৰিব পাৰিম। এইবাবেই গীতাৰ ভগৱন্তই কৈছে :—

আদিত্যানামহং বিষ্ণু র্জ্যোতিষাং ৰবিৰংশুমান।
মৰীচিৰ্মৰুতামস্মি নক্ষত্ৰানামহং শশী॥
বেদানাং সামবেদোঽস্মি দেৱানামস্মি বাসবঃ।
ইন্দ্ৰিয়ানাং মনশ্চাস্মি ভূতানামস্মি চেতনা॥
মহৰ্ষীনাং ভৃগুৰহং গিৰামস্ম্যেক মক্ষৰম্।
যজ্ঞানা জপযজ্ঞোঽস্মি স্থাৱৰাণাং হিমালয়ঃ।
অশ্বত্থঃ সৰ্ব্ববৃক্ষাণাং দেবৰ্ষীনাঞ্চ নাৰদঃ।
গন্ধৰ্ব্বাণাং চিত্ৰৰথ সিদ্ধানাং কপিলো মুনিঃ।
ইত্যাদি।

সকলো বিকাশৰে পিছত বা মূলত সেই সেই বিকাশৰ পৰম ঈশ্বৰ। সকলো সৃষ্ট পদাৰ্থৰ ক্ৰমোন্নতি সেই মূলৰ ফালে। সেইদেখি নানা প্ৰকাৰ সৃষ্ট বস্তুবোৰৰ যি বিটো বৰ্ত্তমানত পূৰ্ণৰূপে বিকাশিত মূল সেই সেইটো ঈশ্বৰৰ একো একো গুণৰ স্বৰূপ প্ৰকাশ। সকলো সৃষ্ট পদাৰ্থৰ ভিতৰত জ্ঞান বুদ্ধি মনসম্বলিত মনুষ্যজাতি যে শ্ৰেষ্ঠ, এইটো অস্বীকাৰ কৰোঁতা কোনো নাই। এই শ্ৰেষ্ঠ মনুষ্যত যে ঈশ্বৰৰ ঐশ্বৰ্য্যৰ, এই পৃথিৱীত চূড়ান্ত বিকাশ হৈছে, তাকো স্বীকাৰ কৰিবই লাগিব। এই বাবেই ভগৱন্তই কৈছে "গুহ্যং পৰং" মম মনুষ্য লিঙ্গং। বাইবেলতো কৈছে God made man after his own image অৰ্থাৎ ঈশ্বৰে মানুহক তেওঁৰ আকৃতিৰ আহিত সৃজন কৰিলে। এনে মানুহৰ ভিতৰত যি শ্ৰেষ্ঠ, তেওঁত যে ঈশ্বৰৰ বিকাশ অনেক বেছি তাত সন্দেহ নাই। ঈশ্বৰৰ শ্ৰেষ্ঠ বিকাশ মানুহৰ ভিতৰতে। মানুহক ঈশ্বৰৰ ঐশ্বৰ্য্য আৰু সত্তাৰ উৎকৃষ্টৰূপে অনুভৱ কৰাবলৈ ঈশ্বৰে যে উৎকৃষ্ট আৰু সৰ্ব্বশ্ৰেষ্ঠ মনুষ্য নিশ্চয় এনে হব লাগিব যাৰ জীৱনত সকলো মানৱী সম্বন্ধ, মানৱী ভাব, কাৰ্য্য আৰু ব্যৱহাৰে উৎকৰ্ষ লাভ কৰিছে। ঈশ্বৰৰ এনে নৰতনু নৰাৱতাৰ মূলবস্তু শ্ৰীকৃষ্ণ। মনুষ্য জীৱনৰ সকলো ভাব আৰু সকলো সম্বন্ধতে এই শ্ৰীকৃষ্ণ মূৰ্ত্তি চূড়ান্ত বিকাশ। সেইদেখি শ্ৰীকৃষ্ণ পূৰ্ণ অৱতাৰ। ভগৱন্তৰ অকল ঐশ্বৰ্য্য ভাবেই আমাক তৃপ্তি নিদিয়ে। তেওঁৰ আৰু এটি ভাব আছে। সেইটি মাধুৰ্য্য ভাব। সেই মাধুৰ্য্য ভাবেহে তেওঁক আমাৰ প্ৰতি সোম্যাদ সুমধুৰ কৰি পৰ্ণ উপভোগৰ বস্তু কৰে। ঈশ্বৰৰ 'মানুষী তনু' শ্ৰীকৃষ্ণৰ অৱতাৰত ঐশ্বৰ্য্য ভাব আৰু মাধুৰ্য্য ভাবৰ চৰম পৰিণতি সংঘটিত হৈছে। ঈশ্বৰক তেওঁৰ ঐশ্বৰ্য্য দেখি ভয়, সন্মান, শ্ৰদ্ধা, ভক্তি, সেৱা ইত্যাদি আমি কৰিলেও তেওঁৰ মাধুৰ্য্য ভাবটিয়েহে তেওঁক আমি একেবাৰেই আমাৰ নিজৰ জন যেনেকৈ পোৱাই দিয়ে। আমি গোকুলৰ নন্দ-যশোদা, সুবল, শ্ৰীদাম আৰু গোপিনী হৈহে, সেই মধুৰ ৰসাশ্ৰিত ভাবেৰেহে কৃষ্ণক নিজৰ জন যেনেকৈ, তেওঁৰ আমাৰ অন্তৰ মিলাই, প্ৰেম মিলাই, স্নেহ মিলাই তেওঁক ভজি কৃতাৰ্থ হব পাৰোঁ। বৃন্দাবনত ভগৱান শ্ৰীকৃষ্ণৰ সেই স্বাভাৱিক বিচিত্ৰ মধুৰ লীলাই তেওঁক আমাৰ কেনে ওচৰ-আত্মীয় আৰু নিজৰ কৰিবৰ সুবিধা কৰি দিলে চোৱা। বৃন্দাবনৰ ঈশ্বৰৰ সেই লীলা নিত্যলীলা এই বাবে যে মানৱী তনুধাৰী ঈশ্বৰৰ সকলো সম্বন্ধ পূৰ্ণবিকশিত হোৱা সেই লীলা দিনো নৰলোকত ঘটিব লাগিছে, কাৰণ জীৱনৰ সেইবোৰ নিত্য সম্বন্ধৰ archetype অৰ আংশিক প্ৰকাশ তোমাৰ জীৱনত তোমাৰ ঘৰত্তে, তোমাৰ পুত্ৰ পৰিবাৰ ইষ্টকুটুম্ব বন্ধুৰে সৈতে আংশিক-ৰূপে ঘটি আছে, যদি তোমাৰ দেখিবলৈ চকু আছে আৰু সদায় সবহকৈ আৰু গুৱকৈ ঘটিব পাৰে যদি তুমি তোমাৰ জীৱন, তোমাৰ সংসাৰ, তোমাৰ ঘৰক বৃন্দা অৰ্থাৎ আনন্দৰ ভৱন অৰ্থাৎ ৰক্ষণ বা স্থান কৰিব পাৰা। হেৰা কলিৰ মানৱ! তোমাৰ নিমিত্তে কৃপালু ঈশ্বৰে কৃষ্ণৰূপে প্ৰকাশ হৈ তেওঁক পাবলৈ কি সুবিধা কৰি দিলে, এবাৰ ভাবি নোচোৱা নে? সত্যাদিৰ লোকে তেওঁলোকৰ যোগদৃষ্টিৰে, কলিত এনে সুবিধা হব দেখি যে কলিত জনম ধৰিবলৈ হেঁপাহ কৰিছিল, তাত আৰু আচৰিত কি?

"সত্যাদিৰ লোকে কলিত জনম বাঞ্ছা কৰে নিৰন্তৰ।
হৰিগুণ গায়া নিশ্চয় কলিত হৈব নাৰায়ণ পৰ॥"
—ঘোষা

ভগৱন্তৰ ঐশ্বৰ্য্যযুক্ত ঈশ মূৰ্ত্তি কৃষ্ণই পুতনা-শোষণ, কালিদমন, কেশীনিসূদন, অঘ-বক বিনাশন, কংস বিধ্বংসন কৰে, প্ৰলয় পয়োধিজলত বেদ উদ্ধাৰ কৰে—

"বেদানুদ্ধৰতে জগন্তি বহতে ভূগোল মুদ্বিভ্ৰতে।
দৈত্যংদাৰয়তে বলিং ছলয়তে ক্ষত্ৰক্ষয়ং কুৰ্ব্বতে।
পৌলস্ত্যং জয়তে হলং কলয়তে কাৰুণ্যমাতন্বতে।
ম্লেচ্ছান মূৰ্চ্ছয়তে দশাকৃতকৃতে কৃষ্ণায় তুভ্যং নমঃ॥

মাধুৰ্য্যযুক্ত মধুৰ মূৰ্ত্তিৰে যশোদাৰ হৃদয়ত স্নেহৰ আবেগ বঢ়াই স্তন্য গ্ৰহায়। কদমৰ তলত ত্ৰিভঙ্গ হৈ বাঁহী বজায়। "ধৱলী, শ্যামলী, কালী, কমলিনী" নামৰ গাই আৰু বৎসেৰে প্ৰীতি কৰে আৰু সেই গাই বৎসই তেওঁক "হাম্বাৰৱে ডাকে কৃষ্ণ কৃষ্ণ বুলি।" ময়ূৰ-ময়ূৰীৱে তেওঁৰ বাঁহীৰ সুৰৰ শুনি ছাদি ধৰি নাচে, আৰু যমুনা উজাই বয়। ভগৱন্তই

তেওঁৰ এই মধুৰ দয়াময়, করুণাময়, কৃপাময় ভাবে জীৱৰ দুখ দেখি, ব্যথিত হৈ বুদ্ধৰূপে অৱতাৰ হৈ জীৱৰ মঙ্গলৰ নিমিত্তে নিজৰ পুত্ৰ-ভাৰ্য্যা আৰু ৰাজ্য-সম্পদ ত্যাগ কৰি কঠোৰ তপস্যা কৰি "অহিংসা পৰমোধৰ্ম্ম" প্ৰচাৰ কৰে। ঈশুখৃষ্টৰূপে অৱতাৰ ধৰি পাপীৰ পাপৰ ভাৰ নিজে বৈ ক্ৰুছ কাঠত বিদ্ধ হৈ যন্ত্ৰণা সহ্য কৰে। এই সুন্দৰ মাধুৰ্য্যভাৱে ঈশ্বৰ লক্ষ্মীকান্তই ভৃগু মুনিৰ পদাঘাত খাই তৎক্ষণাৎ লক্ষ্মীৰ কোলা এৰি উঠি লৰি আহি মুনিৰ কোমল ভৰিত কেনেবাকৈ দুখ পাইছে ভাবি, মুনিক স্তুতি-নতি কৰি মুনিৰ ভৰি পিটিকি দি সেই গোৰৰ সাঁচটি বুকুত চিৰকাললৈকে শ্ৰীবৎস কৰি লয়। এই মধুৰ ভাবেৰেই "সত্য সনাতন নিত্য নিৰঞ্জন দেৱ, অনাদি অনন্ত যোহি বিনে নাহি কেৱ" ভাবেৰেই "সত্য সনাতন নিত্য নিৰঞ্জন দেৱ, অনাদি অনন্ত যোহি বিনে নাহি কেৱে" অজ্ঞেয়, অচিন্ত্য, অদ্বিতীয় চিদানন্দ পৰমেশ্বৰ তেওঁৰ নিজৰ মায়াৰেই নিজে মানুহৰূপ ধৰি উদ্ধৱৰ সখা হয়—যি উদ্ধৱে কৃষ্ণক অশ্বথৰ তলত বহি থকা সময়ত দেখি, কৃষ্ণই নৰলীলাৰ অন্ত পেলাই বৈকুণ্ঠলৈ যাব খুজিছে বুজি, কান্দি ব্যাকুল হৈ কৃষ্ণক কৈছিল "হে কেশৱ! মই তোমাৰ চৰণ-কমল ক্ষণাৰ্দ্ধও এৰিব নোৱাৰোঁ। হে নাথ! মোকো বৈকুণ্ঠলৈ লৈ যোৱা—

"নাহং তবাঙ্ঘ্ৰি কমলং ক্ষণাৰ্দ্ধমপি কেশৱ।
ত্যক্তুং সমুৎসহে নাথ স্বধাম নয় মামপি॥"
—শ্ৰীমদ্ভাগৱত

উদ্ধৱে যি কৃষ্ণৰ মুখৰ পৰা সকলো তত্ত্বজ্ঞান শুনি মনত সৰোগত কৰি লৈ যাবলৈ উঠিও—

"আজি এৰোঁ প্ৰভুৰ চৰণ।
এহি বুলি জুৰিলা ক্ৰন্দন॥
যদ্যপি জানিলা মহাজ্ঞান।
তথাপিতো ছাড়ে যেন প্ৰাণ॥
ভৈলন্ত বিহ্বল আতি স্নেহে।
যাইবাক খোজন্তে হৃদি দহে॥
কৃষ্ণক এৰিবে নপাৰন্ত।
চৰণত পড়িয়া কান্দন্ত॥
হৃদিতাপ কৰন্ত উদ্ধৱে।
চলা চলা বোলন্ত মাধৱে॥
কৃষ্ণৰ সুদৃঢ় আজ্ঞা শুনি।
উঠি আখি মচি মহামানী॥
প্ৰভুৰ পাদুকা শিৰে বান্ধি।
প্ৰণামি পৰিলা কান্দি কান্দি।।
আগক নযাচেঁ আৰ ভৰি।
কৰন্ত প্ৰণাম দুনাই পৰি॥
উঠি যান্ত ভৰি পাঞ্চ ছয়।
আছাৰ পৰন্ত মহাশয়॥
কৃষ্ণৰ চৰণ এৰি যান্ত।
নযায় ভৰি উলটি চাহন্ত॥
ধৰিবাক নোৱাৰন্ত চিত্ত।
দণ্ডৱতে পৰন্ত ভূমিত॥
দুনাই উঠি কৰন্ত গমন।
কৃষ্ণৰ বিয়োগে দহে মন॥
কৃষ্ণে যিটো শিখাইলন্ত জ্ঞান।
কৰিলা হৃদয়ে তাক ধ্যান॥
কৃষ্ণৰ খৰম মাথে লৈয়া।
যাবকাক বাজ ভৈলা গৈয়া॥" —কীৰ্ত্তন

ভগৱন্তৰ ঐশ্বৰ্য্য আৰু মাধুৰ্য্য ভাৱৰ অপূৰ্ব্ব সমন্বয় শ্ৰীকৃষ্ণৰ লীলাত, কুৰুক্ষেত্ৰৰ লীলাত তেওঁৰ ঈশ ভাবৰ পূৰ্ণ প্ৰকাশ। বৃন্দাবনৰ লীলাত মাধুৰ্য্য ভাবৰ পূৰ্ণপ্ৰকাশ। তেওঁ কুৰুক্ষেত্ৰৰ লীলাত বিচ্ছিন্ন ভাৰতৰ একত্ব সাধিত কৰি এক মহাভাৰত মহা-সাম্ৰাজ্য সংস্থাপিত কৰিলে। অৰ্জ্জুনৰ ৰথত বহি জ্ঞানযোগ আৰু ভক্তিযোগৰ অপূৰ্ব্ব চূড়া কৰ্ম্মযোগৰ ওপৰত স্থাপন কৰি গীতাৰ অমূল্য উপদেশ দিলে। ক্ষত্ৰিয় ক্ষয় কৰি অধৰ্ম্ম দূৰীভূত কৰি, ধৰ্ম্মৰ গ্লানি গুচালে। ভাগৱতৰ বৃন্দাবন-লীলাত তেওঁ চেনেহৰ পুতেক, মৰমৰ সখা, প্ৰেমৰ স্বামী, ভকতৰ বান্ধৱৰূপে প্ৰকটিত হ'ল। যি সুকোমল, সুমধুৰ আৰু উৎকৃষ্ট ভাব আছে সেই সকলোবোৰৰে সংগ্ৰহ এই চিদানন্দ এনে কৃষ্ণলীলা অসমত ব্ৰাহ্মণ চণ্ডাল নিৰ্ব্বিশেষে প্ৰচাৰ কৰি আমাৰ পৰম উপকাৰ সাধিলে কৃপালু গুৰু শঙ্কৰ মাধৱে। হেৰা' অসমীয়া ভাইহঁত! আহাঁ, আমি এই মহা উপকাৰৰ শলাগ লৈ তেওঁলোকৰ চৰণ-পঙ্কজত মূৰ দোঁৱাই নিজক ধন্য কৰোঁহঁক।

(বাঁহী: ৭ম বছৰ, ৪ৰ্থ সংখ্যা ফাগুণ, ১৮৩৭ শক)

পুৰুষোত্তম শ্ৰীকৃষ্ণ

ভাৰতবৰ্ষত হিন্দুধৰ্ম্মৰ যিটো মাই সোঁতা, সেই সোঁতাটো অতি প্ৰাচীন বৈদিক কালৰে পৰা আজিলৈকে ধাৰ নিচিগাকৈ বে বৈ আছে তাত সন্দেহ নাই। অৱশ্যে সেই সোঁতত নানা ঠাইৰ নানা সৰু সৰু সুঁতি মিহলি হৈ পৰি নানা বৰণ দিছে হয়, কিন্তু আচল মাই সোঁতাৰ মাই প্ৰকৃতি পৰিবৰ্ত্তিত হোৱা নাই। নানা ধৰ্ম্মসংস্কাৰক, নানা ধৰ্ম্মপ্ৰচাৰক, নানা ভাবুক, নানা চিন্তাশীল লোকৰ কাৰ্য্য আৰু চিন্তা আৰ্য্য হিন্দু ধৰ্ম্মৰ মাই ধাৰাত পৰিছে ঠিক, কিন্তু সকলোবোৰ সামৰি লৈ সেই প্ৰধান ধাৰা অনন্ত মহিমান্বিত অনন্ত সমুদ্ৰৰ পৰম ব্ৰহ্মৰ ফালে বৈ নাগিছে। এই বাবে বেদৰ আৰ্য্য বা হিন্দুধৰ্ম্মক সনাতন ধৰ্ম্ম বোলে আৰু বোলাটো যুক্তিযুক্ত।

উপনিষদৰ গভীৰ চিন্তা, বেদান্তৰ প্ৰগাঢ় তত্ত্বমীমাংসা, গীতাৰ অত্যাশ্চৰ্য্য সৰ্ব্বধৰ্ম্ম সমন্বয়, ইত্যাদিৰ ঘাত-প্ৰতিঘাতত হিন্দুধৰ্ম্মৰ আলোড়ন বিক্ষোভন হৈছে, কিন্তু সেই সকলোবোৰ হিন্দুধৰ্ম্মৰ বিশাল গৰ্ভতহে, বাহিৰত নহয়।

"গৰ্ভত থাকন্তে উদৰত ঘালে পাৱ।
তাৰ অপৰাধক নধৰে যেন মাৱ॥"
—শঙ্কৰদেৱ

হিন্দুধৰ্ম্মই নিজৰ উদৰত সেই আলোড়ন বিক্ষোভন আৰু পদাঘাত কৰোঁতা শিশুসকলক ক্ষমা কৰি নিজৰ গৰ্ভভাৰ বৈ আহিছে। বৌদ্ধধৰ্ম্ম হিন্দুধৰ্ম্মৰ ইমান প্ৰবল প্ৰতিবাদ, কিন্তু সূক্ষ্মৰূপে চালে সিও গুৰিতে হিন্দুধৰ্ম্মৰ কুক্ষিৰ ভিতৰৰ পৰা বাহিৰ হব পৰা নাছিল। বৌদ্ধধৰ্ম্মৰ ভেটি প্ৰধানতঃ সাংখ্য দৰ্শন আৰু হিন্দুধৰ্ম্ম বৌদ্ধধৰ্ম্ম বিদ্ৰোহী কিন্তু নিজা সন্তান।

সনাতন হিন্দুধৰ্ম্মৰ প্ৰশস্ত ধাৰা পৰিত্যাগ কৰি ভাৰতত কোনো ধৰ্ম্ম প্ৰতিষ্ঠাপিত হোৱা নাই আৰু হব পৰা নাই। সেইদেখি বেদ-উপনিষদৰ আগত ভাৰতৰ সকলো ধৰ্ম্মই আঁঠু লৈছে আৰু তাক Revelation ঈশ্বৰৰ বাণী বুলি স্বীকাৰ কৰি আহিছে। গাৰ বলেৰে অল্পবুদ্ধিৰ মানুহে প্ৰকৃত বেদ উপনিষদ উৰাই দিব খুজিব পাৰে, কিন্তু অলপ গভীৰকৈ চিন্তা কৰিলে আৰু সেই ঔদ্ধত্য নাথাকে তাক অভ্ৰান্ত সত্যবাণী বুলি মানিবই লাগিব। অৱশ্যে বেদৰ ভিতৰত যি কাৰণতেই হওক দুটা ভাগ আছে—জ্ঞানকাণ্ড আৰু কৰ্ম্মকাণ্ড। ধাই ভাগ অৰ্থাৎ জ্ঞানকাণ্ড যে নিত্য আৰু অভ্ৰান্ত তাক স্বীকাৰ কৰিবই লাগিব। কৰ্ম্মকাণ্ডও অনাহকত যে তাৰ অন্তৰ্গত হৈছিল এনে নহয়, এতিয়া নাথাকিলেও সেই কালত তাৰো উপযোগিতা নিশ্চয় আছিল।

বেদ আৰু উপনিষদ আৰ্য্যসকলৰ অক্ষয় কীৰ্ত্তি-স্তম্ভ। বেদ উপনিষদত নিৰোৰ অমূল্য তত্ত্ব নিহিত আছে, সেইবোৰৰে সাৰ ভাগৰ অনুগত অৰ্থ অৱলম্বন কৰি স্মৃতিশাস্ত্ৰবোৰ প্ৰণীত হৈছে। শ্ৰীমদ্ভাগৱত-গীতাও শ্ৰুতিৰ অনুৰ্ধ। গীতাৰ প্ৰায় সৰ্ব্বাঙ্গই উপনিষদৰ হাড়-মগজুৰে গঠিত। গীতাৰ অনেক ঠাইত উপনিষদৰ বাক্যবোৰ হুবহু ব্যৱহৃত হৈছে। কোনো কোনো ঠাইত অলপ পৰিবৰ্ত্তিতৰূপে ব্যৱহৃত হৈছে আৰু কোনো ঠাইত ভাববোৰ বিশদ-ৰূপে ব্যাখ্যাত হৈ ব্যৱহৃত হৈছে। উপনিষদ আৰু গীতা মিলাই মন দি পঢ়োঁতাসকলৰ চকুত এইটো নপৰি নাথাকে। এই বাবে গীতাৰ মাহাত্ম্যৰ বিষয়ে এইদৰে কোৱা হৈছে—

"সৰ্ব্বোপনিষদো গাবো দোগ্ধা গোপাল-নন্দন।
পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ॥"

শ্ৰীমাধৱদেৱে এই শ্লোকৰ কৰা অনুবাদ—

"সকল উপনিষদ ধেনু, দোগ্ধা ভৈল তাৰ নন্দসুত,
তাৰ বৎস ভৈল কুন্তীসুত ধনঞ্জয়।
দুগ্ধ ভৈল মহা গীতামৃত, কৃষ্ণৰ চৰণে দিয়া চিত্ত,
সুবুদ্ধিসকলে সন্তোষে পান কৰয়॥"

গীতাত শ্ৰীকৃষ্ণই কৈছে—

"দ্বাবিমৌ পুৰুষৌ লোকে ক্ষৰশ্চাক্ষৰ এবচ
উত্তমঃ পুৰুষস্তন্যঃ পৰমাত্মেত্যুদাহৃতঃ॥"

ক্ষৰ পুৰুষ অৰ্থাৎ প্ৰকৃতি বা জগৎ, অক্ষৰ পুৰুষ অৰ্থাৎ কূটস্থ হিৰণ্যগৰ্ভৰূপী শ্ৰেষ্ঠ পুৰুষ। এই দুই পুৰুষতকৈও শ্ৰেষ্ঠ পৰমাত্মা মহান্ ঈশ্বৰ এজন আছে। এই পৰমাত্মা মহান্ ঈশ্বৰকে গীতাত পুৰুষোত্তম বুলিছে। ঘোষাত ওপৰৰ শ্লোকৰে ভাঙনি এইদৰে দিছে :—

"ক্ষৰ পদে ইটো দেহক বোলয়,
অক্ষৰ শবদে ব্ৰহ্ম।
দুইতো কৰি হৰি উত্তম নিমিত্তে
প্ৰখ্যাত পুৰুষোত্তম॥"

আকৌ কৈছে—

"ঈশ্বৰৰ সেৱা কৰন্তে জীৱৰ
গুচয় মায়াৰ ভ্ৰম।
ব্ৰহ্মপদে শুদ্ধ জীৱক বোলয়,
ঈশ্বৰ পৰম ব্ৰহ্ম॥"

ব্ৰহ্মাংশ জীৱই ঈশ্বৰৰ সেৱা কৰোঁতে কৰোঁতে মায়াৰ হাত এৰাই ব্ৰহ্মস্বৰূপ প্ৰাপ্তি হয়। বেদান্ত কথিত "সোঽহং" আৰু শঙ্কৰাচাৰ্য্য ব্যাখ্যাত "তত্ত্বমসি"ৰ প্ৰকৃত তাৎপৰ্য্যও এয়েহে। গীতোক্ত এই পুৰুষোত্তমেই অত্যুক্ত পৰমাত্মা যাৰ বিষয়ে উপনিষদৰ ঋষিয়ে অলপ জানি আনন্দত গদগদ হৈ কৈছে—

"বেদাহমেতং পুৰুষং মহান্তম্,
আদিত্যং বৰ্ণং তমসঃ পৰস্তাৎ।
তমেৱ বিদিত্বা অতি মৃত্যুমেতি,
নান্যঃ পন্থা বিদ্যতে ঽয়নায়।"

অৰ্থাৎ সূৰ্য্যৰ নিচিনা স্বপ্ৰকাশ, অজ্ঞান আৰু অন্ধকাৰৰ পৰপাৰত থকা এই মহান পুৰুষক মই জানিছোঁ। তেওঁক জানিয়েই সাধকে মৃত্যুক অতিক্ৰম কৰে। এওঁৰ বাহিৰে অমৃতত্ব লাভৰ আন পথ নাই।

গীতাতো শ্ৰীকৃষ্ণই এই আদিত্যবৰ্ণ স্বপ্ৰকাশ পুৰুষৰ কথা কৈছে —

"কবিং পুৰাণমনুশাসিতাৰম্
অণোৰণীয়াং সমনুস্মৰেদ্ যঃ।
সৰ্বস্য ধাতাৰমচিন্ত্যৰূপম্
আদিত্য বৰ্ণং তমসঃ পৰস্তাদ ॥"

এই মহান পুৰুষৰ ওপৰত কোনো প্ৰভু নাই— "ন তস্য কশ্চিৎ পতিৰস্তি লোকে" উপনিষদে কৈছে ; আৰু কৈছে—তেওঁ ঈশ্বৰসকলৰো মহেশ্বৰ "তমীশ্বৰাণাং পৰমং পৰমেশ্বৰম্ ।" "বেদে চ প্ৰথিতঃ" অৰ্থাৎ বেদেও এই মহেশ্বৰ পৰমাত্মাকে পুৰুষোত্তম বুলি কৈছে । শ্ৰুতিত যাক পৰমাত্মা পৰমব্ৰহ্ম বুলিছে গীতাই তেওঁক পুৰুষোত্তম বুলিছে । শ্ৰীকৃষ্ণই গীতাত তেৱেঁই সেইজন বুলি পৰমভক্ত অৰ্জুনক চিনাকি দিছে । তেৱেঁই ওঁ ইতি একাক্ষৰ ব্ৰহ্ম :—

ওঁ মিত্যেকাক্ষৰং ব্ৰহ্ম ব্যাহৰণ্ মামনুস্মৰণ ।
যঃ প্ৰয়াতি ত্যজন্ দেহং স যাতি পৰমাং গতিং ॥"
—গীতা ।

গীতাৰ ৯ম অধ্যায়ৰ ১৭শ শ্লোকত তেওঁ স্পষ্টকৈ কৈছে- মই ওঁকাৰ। ভাগৱতত এই ওঁ কাৰকে ব্ৰহ্ম পৰমাত্মা বুলি কৈছে ।

"ভতোঽভূৎত্ৰিবৃদ্ ওঁ কাৰো যোহব্যক্ত প্ৰভৱঃ স্বৰাট ।
যত্তল্লিঙ্গং ভগৱতো ব্ৰহ্মণঃ পৰমাত্মনঃ॥"

ইয়াৰ মানে—ইয়াৰ পিছত সেই শব্দৰ পৰা ত্ৰিমাত্ৰা বিশিষ্ট ওঁকাৰ ওলাল, যি স্বপ্ৰকাশ আৰু ভগৱন্ত ব্ৰহ্ম পৰমাত্মাবাচক ।

বিষ্ণুপুৰাণে কৈছে—

"ভগৱানপি গোবিন্দো বাসুদেৱাত্মকং পৰং ।"
"ভত্তৎ পৰমং ব্ৰহ্ম পৰমাত্মা জগন্ময়ঃ ।
সৰ্বগঃ সৰ্বভূতেশঃ সৰ্বাত্মা পৰমেশ্বৰঃ॥"
"ব্ৰহ্মাক্ষৰমজং নিত্যং যথাসৌ পুৰুষোত্তমঃ।"

আকৌ—

"ন সন্তি যত্ৰ সৰ্বেশে নাম জাত্যাদি কল্পনাঃ ।
সত্তামাত্ৰাত্মকে জ্ঞেয়ে জ্ঞানাত্মন্যাত্মনঃ পৰে ॥
স ব্ৰহ্ম তৎপৰং ধাম পৰমাত্মা স চেশ্বৰঃ ।
স বিষ্ণুঃ সৰ্বমেৱেদং যতো নাবৰ্ত্ততে যতিঃ ॥
ঋগ্ যজুঃ সামভিৰ্মাগৈঃ প্ৰবৃত্তৈ ৰিজ্যতে হ্যসৌ।
যজ্ঞেশ্বৰো যজ্ঞপুমান্ পুৰুষৈঃ পুৰুষোত্তমঃ ॥"

ইয়াৰ অৰ্থ—যাত নাম আৰু জাতি আদিৰ কল্পনা নাই, যি যাথোন জ্ঞান স্বৰূপ হৈ অৱস্থিত, তেৱেঁই পৰম ব্ৰহ্ম। তেৱেঁই পৰমধাম। তেৱেঁই পৰমাত্মা আৰু সকলোৰে মহেশ্বৰ। তেওঁক পাই যোগীসকল আৰু সংসাৰলৈ উভতি নাহে। ঋক যজু সাম বেদাদি কথিত মাৰ্গেৰে সেই পৰমাত্মা পুৰুষোত্তমকে পূজা কৰা হয়।

শ্ৰীকৃষ্ণই এই জনেই মই বুলি ভক্তক কৃপা কৰি কৈ দিছে। তেওঁ গীতাত কৈছে "মমৈৱাংশো জীৱলোকে জীৱভূতঃ সনাতন," অৰ্থাৎ জীৱভূত সনাতন অৰ্থাৎ নিত্য অক্ষৰ পুৰুষ তেওঁৰে (অৰ্থাৎ তেওঁ পৰমব্ৰহ্ম পৰমাত্মা পুৰুষোত্তমৰ) অংশ। সেইদেখি তেওঁ ক্ষৰতকৈ যে উত্তমেই, অক্ষৰ পুৰুষতকৈও উত্তম। এই পুৰুষোত্তমেই বিষ্ণু "যো বিশ্বং ভুৱনমাৱিবেশ" "যো অগ্নৌ যো অপসু, যো ওষধিষু, যো বনস্পতিষু, যাৰ "তদ্বিষ্ণোঃ" পৰমং পদং সদা পশ্যন্তি সুৰয়ঃ দিৱীৱ চক্ষুৰাচতং।"

গীতাত তেওঁ অৰ্জুনক কৈছে-

"অহং কৃৎস্নস্য জগতং প্ৰভৱঃ প্ৰলয়স্তথা।
মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয়॥"

ইয়াৰ মানে—যি গোটেই জগতৰ উৎপত্তি আৰু প্ৰলয়ৰ গুৰি, যাতকৈ শ্ৰেষ্ঠ আৰু একো নাই, তেৱেঁই মই।

"অহমাত্মা গুড়াকেশ সৰ্বভূতাশয়স্থিতঃ" অৰ্থাৎ সৰ্বভূতৰ হৃদয়স্থিত যি আত্মা তেৱেঁই মই। "ময়া ততমিদং সৰ্বং জগৎ" অৰ্থাৎ—যি এই গোটেই জগৎ ব্যাপি আছে তেৱেঁই মই।

"যো মামজমনাদিঞ্চ বেত্তি লোক মহেশ্বৰম ।
অসংমূঢ় সমৰ্ত্ত্যেষু সৰ্ব্ব পাপৈ প্ৰমুচ্যতে ॥"

অৰ্থাৎ যি লোক কেতিয়াও জন্ম নোহোৱা অনাদি পুৰুষ মহেশ্বৰ বুলি জানে সি সকলো পাপৰ পৰা মুক্ত হয়।

"উপদ্ৰষ্টানুমন্তা চ ভৰ্ত্তা ভোক্তা মহেশ্বৰঃ।
পৰমাত্মেতি চাপুক্তো দেহেঽস্মিন পুৰুষঃ পৰঃ॥"

ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত কৈছে—

"সৰ্ববীজং পৰং ব্ৰহ্ম কৃষ্ণ ইত্যভিধীয়তে" অৰ্থাৎ সকলোৰে বীজস্বৰূপ যি পৰব্ৰহ্ম তেৱেঁই কৃষ্ণ বুলি অভিহিত হৈছে।

শ্ৰীমদ্ভাগৱতৰ লীলাবাদ বেদান্ত ধৰ্মৰেই বিকাশ আৰু পৰিণতি। শ্ৰীকৃষ্ণ বেদান্ত প্ৰতিপাদ্য পৰব্ৰহ্ম। শ্ৰীমদ্ভাগৱত ওপৰে ওপৰে পঢ়ি শ্ৰীকৃষ্ণতত্ত্ব আলোচনা কৰিবলৈ যোৱাৰ হৃদয়ত কৃষ্ণতত্ত্ব প্ৰকাশ নহয়। কৃষ্ণতত্ত্ব বেদৰ গুপ্তনিহিত, ভাগৱতত প্ৰকাশিত।

"বেদৰ গুপুত বিত্ত নাৰায়ণ এ,
দৈৱকীত হয়ে সাক্ষাতে ভৈলা বিদিত।"

বেদান্ত সূত্ৰ ; ভাগৱতত তাৰ ব্যাখ্যা আৰু উদাহৰণ। মানুহৰ হৃদয়ে ৰসময় আনন্দময় আৰু নিত্য-প্ৰেমময় বস্তুক চিৰকাল বিচাৰি ফুৰিছে। মানুহে যে তেওঁক সৰ্ব্বতোভাৱে পাব পাৰে, এয়ে বেদান্ত শাস্ত্ৰৰ অভিপ্ৰায়। এই অভিপ্ৰায়ৰ সাফল্য ভাগৱত বৰ্ণিত বৃন্দাবনৰ কৃষ্ণ-লীলাত। ভাগৱতে দেখুৱাই দিলে যে মানুহে চিৰকাল বিচাৰি ফুৰা সেই নিত্য-প্ৰেমময় ৰসময় বস্তুক বৃন্দাবনৰ গোপ-গোপী আনকি গৰু-গাইবোৰেও পালে ; সকলো ইন্দ্ৰিয়ৰ দ্বাৰাই প্ৰাণ-মন আৰু হৃদয়েৰে তেওঁক উপভোগ কৰিলে। ঈশ্বৰ যে ৰসস্বৰূপ—"ৰসো: বৈস:"—অৰ্থাৎ আস্বাদনৰ বস্তু, এইটো শ্ৰীকৃষ্ণই বৃন্দাবনৰ লীলাত গোপ-গোপীসকলৰ দেহ, ইন্দ্ৰিয়, মন, বুদ্ধি আৰু আত্মাত আবিৰ্ভূত হৈ প্ৰতিপাদন কৰিলে। অধ্যাত্ম বিজ্ঞান অৰ্থাৎ Scien'e of the e'ernual so l, শ্ৰীমদ্ভাগৱতত পৰিষ্কাৰ ভাৱে বিবৃত হৈছে ঈশ্বৰে কেনেকৈ স্বৰূপ ; মানুহৰ ভিতৰত মানুহে বুজিব পৰাকৈ, অনুভৱ আৰু উপ-ভোগ কৰিব পৰাকৈ, প্ৰকাশ কৰে শ্ৰীমদ্ভাগৱতত সেইটোকেই বৰ্ণিত হৈছে। অসীমে সীমাৰ ভিতৰত কেনেকৈ আত্মপ্ৰকাশ কৰে সেইটোকে ভাগৱতত দেখুৱা হৈছে। অসীম সুন্দৰ পৰমানন্দ বস্তু আমাৰ চেতনাত কেনেকৈ সত্য হৈ উঠে , আমি চকুৰে যি দেখিছোঁ, কাণেৰে যি শুনিছোঁ, তাৰ ভিতৰত যদি আমি নিত্য পৰমানন্দ পৰমাত্মা বস্তুৰ চিনাকি পাওঁ, আৰু সেই বস্তুৰে সৈতে যদি আমাৰ দৈনিক জীৱনৰ সকলো সম্বন্ধ অবিচ্ছিন্ন ভাৱে থাকে, তেনেহলেই বৃন্দাবনত কৃষ্ণলীলা হয়, আমাৰ হৃদয়ত বৃন্দা অৰ্থাৎ আনন্দৰ অৱন অৰ্থাৎ ৰক্ষণ বা স্থান হয়, আৰু পৰমাত্মা পৰব্ৰহ্ম শ্ৰীকৃষ্ণৰ নিত্যলীলা হয়—"ৰসংহ্যেবায়ং লব্ধানন্দীভৱতি।"

শ্ৰীমদ্ভাগৱত ওপৰে ওপৰে পঢ়ি তাৰ অৰ্থ বিচাৰ কৰা অনৰ্থক। কৃষ্ণতত্ত্ব ওপৰ চকুৱাৰ বস্তু নহয়, ওপৰ চকুৱালে শ্ৰীমদ্ভাগৱতৰ দুৱাৰ মুখতে প্ৰথমতে "প্ৰৱেশ নিষেধ" ডাঙৰ ডাঙৰ আখৰেৰে লেখা আছে। ভগবদ্ভক্তিত ৰসিক আৰু ভাবুক সকলহে শ্ৰীমদ্ভাগৱতৰ প্ৰকৃত অৰ্থৰ, আচল মৰ্ম্মৰ অধিকাৰী। শ্ৰীমদ্ভাগৱততেই স্পষ্টকৈ কৈ দিছে কেনেকৈ ভাগৱত শ্ৰৱণ কৰিব লাগে, আৰু পঢ়িব লাগে।

"পিবত ভাগৱতং ৰসমালয়ং মুহু ৰহো ৰসিকা
ভুবি ভাবুকা।"

ইয়াৰ মানে—এই পৃথিৱীত ৰিসকল ভাবুক আৰু ৰসিক তেওঁলোকে এই ভাগৱত ৰস পান কৰক। ভাগৱত কৃষ্ণপ্ৰেমত অৰসিক আৰু সাধাৰণ পল্লৱগ্ৰাহী কৃটিকৰ (critic) বস্তু নহয়। ভাগৱতে বহিৰ্মুখসকলক সংসাৰ বা মৃত্যু দিয়ে, আৰু অন্তৰ্মুখসকলক অমৃত দিয়ে। কৃষ্ণ কথা শুনিবলৈ অন্তৰ্দৃষ্টি হব লাগিব। সেয়ে নহলে পচোতা শুনো-তাৰ পদে পদে কৃষ্ণকথাত আসোঁৱাহ ওলাব। ভাগৱত অধ্যাত্মতত্ত্বৰ নিগূঢ়তম দাৰ্শনিক শাস্ত্ৰ, "নিগম কল্পতৰোৰ্বিগলিতং ফলম্।"

"বীৰ্য্যানি তস্যাখিল দেহভাজামন্তৰ্বহি:
পুৰুষকালৰূপৈ:।
প্ৰযচ্ছতো মৃত্যু মুতামৃতঞ্চ মায়া মনুষ্যস্য
বদস্ব বিদ্বন্।।"

ইয়াৰ মানে—পৰীক্ষিতে শুকদেৱক কৈছে যে সেই মায়ামনুষ্য ভগৱন্তৰ বীৰ্য্যসকল বৰ্ণাওক যি সমস্ত দেহীৰ অন্তৰ আৰু বাহিৰত পুৰুষ আৰু কালৰূপে বৰ্ত্তমান থাকি সংসাৰ আৰু মোক্ষ প্ৰদান কৰিছে। অন্তৰ্দৃষ্টি হৈ কৃষ্ণকথা নুশুনিলে কৃষ্ণ কথা বুজিব নোৱাৰি, আৰু সকলো চেষ্টা বিফল হয়, আৰু বৰং সি সংসাৰ আৰু মৃত্যুহে আনি দিয়ে। এই বাবে ব্যাসে ভাগৱত বুজাৰ সম্পৰ্কে কৈছিল-
"অহং বেদ, শুকো বেদ, বিদুৰো বেদ বা নবা।
ভক্ত্যা ভাগৱতং বেত্তি, ন বুদ্ধ্যা ন চ টীকয়া।।"

সনক সনন্দ যোগী যাহাক ধিয়ায়।
সকল নিগমে যাক বিচাৰি নাপায়।।"

যি "অবাঙ্মনসগোচৰ" এনেজন পৰমব্ৰহ্ম বৃন্দাবনত গৰখীয়া লৰাৰ সৈতে গৰু চৰাই গল, "যাক যোগী নপাৱে ধ্যানত। হেন হৰি পলান্ত ভয়ত।।" যাক যোগীয়ে ধ্যান কৰিও নাপায়, এনে বস্তু যশোদাৰ ভয়ত পলাই ফুৰিছিল, এনেবোৰ কথা কোনে পতিয়াব ? সেই কালৰ পণ্ডিত, জ্ঞানী, প্ৰবল ৰজা, আৰু বুদ্ধিমানসকলেও পতিয়া নাছিল, এই কালৰ পাশ্চাত্য শিক্ষাত শিক্ষিতসকলেও পতিয়াব নোৱাৰে। আনকি সেই কালত ব্ৰহ্মাইও ব্ৰহ্মমোহন ঘটনাৰ আগেয়ে সম্পূৰ্ণৰূপে নি:সন্দেহ-ৰূপে বুজিব পৰা নাছিল। প্ৰবল পৰাক্ৰান্ত ৰজা কংস, শিশুপাল, দন্তবক্ৰ, জৰাসন্ধ নিজৰ বল শক্তিত মত্ত, তেওঁলোকে এই পৰম বস্তুক কেনেকৈ বুজিব ? দৰ্পী দুৰ্য্যোধনে তেওঁক কেনেকৈ বুজিব ? সেইদেখি নিজৰ সভাত দুৰ্য্যোধনে তেওঁক বন্দী কৰি থব খুজিছিল। কিন্তু দুৰ্য্যোধনৰ সাধ্য কি ? সেই কাৰ্য্য "গোৱালী" যশোদাৰহে সাধ্য "যাৰ মায়া পাশে বন্দী ব্ৰহ্মা আদি কৰি। গোৱালীৰ হাতে বন্দী ভৈলা হেন হৰি।।" তেওঁ যশোদাৰ বন্ধন আপুনি স্বীকাৰ কৰি ললে—"স্নেহে লৈলা আপুনি বন্ধন।" গোকুলৰ গোপগোপীসকলে তেওঁক বুজিছিল, পাইছিল ভক্তিৰে। যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত শিশুপালে তেওঁক গালি দিলে।

কৰিছিল। সেই নিন্দাবোৰ শিশুপালৰ দৃষ্টিভঙ্গীত সঁচা কথা, কাৰণ শিশুপালৰ চকুত মনত বুদ্ধিত কৃষ্ণৰ কাৰ্য্যবোৰ যেনেকৈ প্ৰতিভাত হৈছিল, যেনেকৈ ধাৰণা হৈছিল, শিশুপালে ঠিক তাকেহে কৈছিল। ভীষ্ম, পাণ্ডৱ, বিদুৰ, অক্ৰুৰ এওঁলোকৰ অন্তৰ্দৃষ্টিত মন বুদ্ধিত কৃষ্ণৰ কাৰ্য্য আন প্ৰকাৰে প্ৰতিভাত হৈছিল, কাৰণ তেওঁলোকৰ হৃদাকাশ কৃষ্ণচন্দ্ৰ প্ৰকাশিত হবৰ পক্ষে সুনিৰ্ম্মল আছিল, নাৰায়ণৰ ভক্তিৰে তেওঁলোকৰ মন ৰঞ্জিত হৈ আছিল। এতিয়াও যিসকলে প্ৰেম ভক্তিৰ অন্তৰ্দৃষ্টি বিৰহিত হৈ বহিৰ্ম্মুখ হৈ কৃষ্ণ-চৰিত্ৰ বুজিবলৈ যায়, তেওঁলোকে আগৰ শিশুপাল জৰাসন্ধ আৰু আজিকালিৰ খৃষ্টান মিছনেৰী আৰু অধিক ভাগ পাশ্চাত্য শিক্ষাত শিক্ষিত আমাৰ দেশী মানুহৰ নিচিনাকৈ যে কৃষ্ণক দেখিব তাত আচৰিত নাই। আনে সেই কৃষ্ণ বস্তুক বুজাতো দূৰৰ কথা, তেওঁ নিজৰ বংশ পৰিয়াল পাতি সম্বন্ধ লগাই যিসকলৰ ভিতৰত আছিল, সেই যদুবংশৰে লোকসকলেও তেওঁক বুজিব নোৱাৰিলে। কৃষ্ণৰ প্ৰয়াণৰ পিচত উদ্ধৱে যমুনাৰ তীৰত বিদুৰক লগ পাই এই কথাকে কান্দি কান্দি কৈছিল—

"ক্ষীৰ সাগৰত আছিলন্ত শশধৰ।
মাছে যেন বোলে ইয়ো এক জলচৰ॥
সেহি মতে ঈশ্বৰক পায়া যদুগণ।
মনে মানিলন্ত এন্তে জ্ঞাতি একজন॥"

*

"দেখিয়োঁ কৃষ্ণৰ কেন কৰ্ম্ম বিড়ম্বন।
বসুদেৱ গৃহত অজৰ উতপন॥
যাৰ কটাক্ষতে হোৱে জগত বিনাশ।
কংস ভয়ে লন্ত তেন্তে গোকুলত বাস॥"

কৃষ্ণ পৃথিৱীত থাকোতে কৃষ্ণক চিনা মানুহ দুই চাৰিজন মাথোন আছিল। ভীষ্মই চিনিছিল, আৰু সেইকথা তেওঁৰ মৃত্যুৰ সময়ত তেওঁ কৈ গৈছিল। বিদুৰে চিনিছিল, সেই কথা তেওঁ কৌৰৱক অলপ-অচৰপ কৈছিল, কিন্তু মদগৰ্ব্বী কৌৰৱে ভিকহু বিদুৰৰ কথাত কি আস্থা প্ৰকাশ কৰিব। আৰু বিদুৰেও অপাত্ৰৰ কাণত কৃষ্ণকথা দান নকৰি কৌৰৱ সকলৰ ধ্বংসৰ আগেয়ে তীৰ্থভ্ৰমণ কৰিবলৈ গুচি গল। যমুনাৰ তীৰত দুই ভক্ত বিদুৰ উদ্ধৱৰ সংবাদত কৃষ্ণকথা প্ৰকাশিত হল—

"তীৰ্থ কৰি ফুৰন্তে বিদুৰ মহাভাগ।
যমুনা-তীৰত উদ্ধৱক পাইলা লাগ॥

*

আলিঙ্গি ধৰিল নয়নৰ বহে জল।
পুছিলন্ত যদু কুৰু কুলৰ কুশল॥
পুৰাণ পুৰুষ ৰামকৃষ্ণ অৱতৰি।
সুখে কি আছন্ত পৃথিৱীৰ ভাৰ হৰি॥
যাৰ যশ কীৰ্ত্তনে জগত আতি তৰে।
বাৰ্ত্তা কহা সখি হেন কৃষ্ণৰ সম্বৰে॥
পুছিলা বিদুৰ যেবে কৃষ্ণৰ কুশল।
মাধৱক স্মৰি ভৈল উদ্ধৱ বিহ্বল॥
পঞ্চ বৰিষতে যিটো ভোজনক এৰি।
শিশুলীলা কৰিয়া পূজন্ত মাত্ৰ হৰি॥
কৃষ্ণৰ সেৱাতে আৰে অতি প্ৰীতি ভৈল
কহিবে নপাৰি কথা মৌন হুয়া ৰৈল॥
দুই দণ্ড চিন্তিলন্ত কৃষ্ণৰ চৰণ।
হৰিভক্তি অমৃতত মগ্ন ভৈল মন॥
শিহৰি শৰীৰ ভৈল সৰ্ব্বাঙ্গ পুলক।
চক্ষু মুদি আছে স্ৰৱে ধাৰায় লোতক॥"

—কীৰ্ত্তন

এই দুই ভগৱৎ ভক্ত ভাবুকৰ কথাত কৃষ্ণকথাৰ উত্থাপন। যুধিষ্ঠিৰ ৰজা হৈ অশ্বমেধ যজ্ঞ কৰাৰ পিছত যেতিয়া কৃষ্ণই দ্বাৰকালৈ যাবলৈ বিদায় লয়, কুন্তীয়ে আহি সেই সময়ত কৃষ্ণক প্ৰণাম কৰি কৃষ্ণৰ তত্ত্ব যে অজ্ঞেয়, আৰু বৃন্দাবনত যে সেই পৰম পুৰাতন পুৰুষে "মানষী" লীলা কৰিছিল, সেই কথাৰ উৎথাপন কৰিলে। কৃষ্ণ বৈকুণ্ঠলৈ যোৱাৰ পিছত অৰ্জ্জুনে আহি যুধিষ্ঠিৰক কৃষ্ণকথা কলে। কৃষ্ণ যোৱাৰ পিছত কৃষ্ণৰ সম্বন্ধে দকৈ আলোচনা হবলৈ ধৰিলে, আৰু কৃষ্ণকথা শুনিবলৈ আৰু তেওঁৰ তত্ত্ব বুজিবলৈ মানুহৰ আগ্ৰহ হবলৈ ধৰিলে। পিছত মৈত্ৰেয় বিদুৰৰ সংবাদত কৃষ্ণকথা সৃষ্টিতত্ত্বৰে সৈতে মিল কৰি তাৰ প্ৰকৃত তত্ত্বৰ আলোচনা হল। লাহে লাহে ভক্তহৃদয়ত কৃষ্ণতত্ত্ব কৃষ্ণলীলাৰ ৰহস্য প্ৰকাশ হবলৈ ধৰিলে। তাৰ পিছত ব্যাসৰ চিত্তৰ অপ্ৰসন্নতা। নাৰদৰ উপদেশত ব্যাসে জুকিয়াই ভাগৱতত কৃষ্ণকথা ৰচনা কৰি কৃষ্ণতত্ত্ব ব্যক্ত কৰিলে। শুকে বাপেকৰ পৰা ভাগৱতৰ কৃষ্ণকথা শুনি সেই কথাৰ অমৃত ঔষধ পৰীক্ষিতক মৃত্যুকালত দি ভৱ-ৰোগমুক্ত কৰিলে। সুতে সেই অমৃতময় কথা শুনি আহি নৈমিষাৰণ্যত শৌণকাদি ঋষিসকলক শুনালে। শুনিবলৈ ব্যাকুল নহলে কোনেও কৃষ্ণকথা শুনিবলৈ নাপায়, শুনিলেও নুবুজে। ব্যাকুল হৈ ভাবুক অন্তৰ্দৃষ্টি হৈ কৃষ্ণকথা পান কৰিলেহে কৃষ্ণকথাৰ আস্বাদ পোৱা যায়। ভক্তৰ হৃদয় হে কৃষ্ণকথাৰ ঠাই, দাম্ভিক, পাণ্ডিত্যাভিমানী তাৰ্কিক আৰু সংশয়যুক্তৰ হৃদয় নহয়। কৃষ্ণভক্ত ভাবুক ৰসিকৰহে আস্বাদনৰ বস্তু।

(বাঁহী : ৮ম বছৰ, ৭ম সংখ্যা ১৮৪০ শক)

আনন্দময় শ্ৰীকৃষ্ণ

ঈশ্বৰে যে আমাক ক্ষমা, দণ্ড দয়া, করুণা ইত্যাদি কৰে, এই কথাত বিশ্বাস স্থাপন সকলো ধৰ্ম্ম সম্প্ৰদায়ে কৰে। কিন্তু তেওঁ যে বিশেষভাৱে পৃথিৱীত অৱতাৰ হৈ আমাৰ মাজত থাকি আমাৰ প্ৰতি অনুগ্ৰহ প্ৰকাশ কৰি, সেইবোৰ আমাক প্ৰত্যক্ষ কৰাই তেওঁত ভক্তিমান কৰায়, এই কথা কোনো কোনো ধৰ্ম্মসম্প্ৰদায়ে মানিব নোখোজে। ঈশ্বৰৰ কম-বেছি বীৰ্য্য তেজ শক্তি লৈ যে মাজে মাজে মহা-পুৰুষসকল পৃথিৱীলৈ আহে এই কথা কিন্তু সকলো ডাঙৰ ধৰ্ম্মসম্প্ৰদায়ৰ দ্বাৰাই স্বীকৃত। অতীত কালৰ পৰা চলি অহা ইতিহাসেও এই জগতত মাজে মাজে মহাপুৰুষসকলৰ আৱিৰ্ভাৱৰ সাক্ষী দিব লাগিছে।

এই ভাৰতত সগৰ, গয়, পৃথু, মান্ধাতা আদি কত প্ৰবল পৰাক্ৰমী ৰাজচক্ৰৱৰ্ত্তী হৈ গৈছে, ভাৰত-বৰ্ষৰ বাহিৰেও আন আন দেশত জেৰেক্সিচ, আলেক্-জেণ্ডাৰকে আদি কৰি কত প্ৰবল পৰাক্ৰান্ত সম্ৰাট হৈ গৈছে, কালৰ সোঁতে সেইবোৰৰ মহিমা আৰু কীৰ্ত্তি উটাই লৈ যাব লাগিছে। কিন্তু ঈশ্বৰৰ সত্তা লৈ অৱতাৰ হোৱা, ধৰ্ম্মৰাজ্যৰ সংস্থাপক আৰু সহায়ক মহাপুৰুষসকল যেনে ব্যাস, বুদ্ধ, ঈশুখৃষ্ট, মহম্মদ, শ্ৰীশঙ্কৰদেৱ, শ্ৰীচৈতন্যদেৱ আদি চিৰকাল অমৰ। এওঁলোকৰ কীৰ্ত্তি আৰু মহিমাৰ ওপৰত কালৰ প্ৰভাৱ ব্যৰ্থ। এওঁলোকক মানুহে কেতিয়াও পাহৰিব নোৱাৰে। অতীতৰ পুঞ্জীভূত এন্ধাৰে এওঁলোকৰ পৱিত্ৰ পোহৰ ম্লান কৰা দূৰৈত থাওক আৰু উজ্জ্বল-হে কৰি দিয়ে।

"দি-ষ্টাৰ-ইন-দি-ইষ্ট" নামেৰে, আধ্যাত্মিক তত্ত্বানুসন্ধান কৰোঁতা সুধীজনৰ এটা সম্প্ৰদায় আছে। এই কলিকতাতো তাৰ শাখা আছে। অনেক য়ুৰো-পীয় আৰু ভাৰতীয় তত্ত্বজিজ্ঞাসু মানুহ তাৰ সমজুৱাৰ শাৰীত আছে। তেওঁলোকে এই পৃথিৱীত সোনকালে, ব্যাস বা শ্ৰীকৃষ্ণ বা ঈশু খৃষ্ট বা মহম্মদৰ নিচিনা জগদ্‌গুৰু এজনৰ আৱিৰ্ভাৱ হব বুলি দৃঢ় বিশ্বাস কৰে। এই সম্প্ৰদায়ভুক্ত থিয়ছফিষ্টসকলে ভাবে যে মৈত্ৰেয় ঋষিয়েই এইবাৰ জগদ্‌গুৰু হৈ আহিব। কিন্তু এই সম্প্ৰদায়ৰ অন্তৰ্গত খৃষ্টানসকলে খৃষ্ট, মহ-ম্মদীয়সকলে মহম্মদ আৰু বৌদ্ধসকলে বোধিসত্ব আহিব বুলি ভাবিছে। মৈত্ৰেয় মুনি অহাৰ সপক্ষে শ্ৰীমদ্ভাগৱতৰ পৰাও আভাস পোৱা যায়। শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ-প্ৰয়াণৰ পিছত যমুনাৰ তীৰত বিদুৰ আৰু উদ্ধৱৰ সাক্ষাৎ হোৱাত, যেতিয়া বিদুৰে উদ্ধৱৰ পৰা উদ্ধৱে শ্ৰীকৃষ্ণৰ পৰা পোৱা জ্ঞানৰ উপদেশ খুজিলে, তেতিয়া উদ্ধৱে বিদুৰক কলে—"আপুনি তত্ত্বোপদেশ লবৰ নিমিত্তে মুনিবৰ মৈত্ৰেয়ৰ আৰাধনা কৰিব। কাৰণ, ভগৱন্ত শ্ৰীকৃষ্ণই মৰ্ত্ত্যলোক এৰিবৰ সময়ত, আপোনাক উপদেশ দিবৰ নিমিত্তে, মোৰ আগতে মৈত্ৰেয় ঋষিক আদেশ কৰিছিল।"

—শ্ৰীমদ্ভাগৱত, তৃতীয় স্কন্ধ, ৪ৰ্থ অধ্যায়।

ঈশ্বৰে যে দেহ ধাৰণ কৰি পৃথিৱীত অৱতাৰ হয়, এই কথা হিন্দুৰ পুৰাণে কয় আৰু পৌৰাণিক ঈশ্বৰ সাধনাৰ প্ৰণালীৰ এইটোৱেই মাই কথা। শ্ৰীমদ্ভাগৱতে কৈছে যে ঈশ্বৰৰ অৱতাৰ অসংখ্য। "যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত।" (কীৰ্ত্তন) ঈশ্বৰে যে কিয় অৱতাৰ ধৰে, ৯ম স্কন্ধ ভাগৱতৰ চতুৰ্ব্বিংশতি অধ্যায়ৰ শেহৰ শ্লোক কেইটাত শুক-দেৱে ৰজা পৰীক্ষিতক তাৰ কাৰণ বহলাই কৈছে। আমি সেই শ্লোক কেইটাৰ ভাঙনি তলত দিলোঁ:—"যি সময়ত ধৰ্ম্মৰ ক্ষয় আৰু অধৰ্ম্মৰ বৃদ্ধি হয়, সেই সময়ত ভগৱন্ত হৰিয়ে নিজক সৃজন কৰে। হে ৰাজন! নতুবা যি মায়াৰ নিয়ন্তা, সঙ্গবিহীন, সৰ্ব্বসাক্ষী আৰু সৰ্ব্বগত তেওঁৰ মায়া-বিনোদৰ বাহিৰে জন্ম আৰু কৰ্ম্মৰ হেতু আৰু কি হব পাৰে? তেওঁৰ মায়াচেষ্টা জীৱৰ পক্ষে অনুগ্ৰহ স্বৰূপ; কাৰণ সেইটোৱেই সৃষ্টি-স্থিতি প্ৰলয়ৰ নিদান; তাৰ দ্বাৰাই সৃষ্টি প্ৰভৃতি নিবৃত্তি হোৱাৰ নিমিত্তে সি জীৱৰ পক্ষে মোক্ষৰও কাৰণ হয়। ৰাজন্! বহু বহু অক্ষৌ-হিনী পতি নৃপতি চিহ্নধাৰী অসুৰবোৰে পৃথিৱী আক্ৰমণ কৰাত পৃথিৱী মহাভাৰাক্ৰান্ত হৈছিল। পৃথিৱীৰ ভাৰ হৰণ কৰিবৰ নিমিত্তে ভগৱন্ত এনেকৈ অৱতাৰ হয়। কাৰণ যিবোৰ কৰ্ম্ম দেৱতাসকলে মনৰ দ্বাৰাইও তৰ্ক কৰি ওৰ নেপায়, ভগৱন্ত মধুসূদনে সঙ্কৰ্ষণেৰে সৈতে সেইবোৰ অৱলীলাক্ৰমে সম্পন্ন কৰে। ৰাজন্! ভগৱন্ত সৰ্ব্বশক্তিমান। যদিও তেওঁ সঙ্কল্পমাত্ৰকতে ভূভাৰ হৰণ কৰিবৰ সমৰ্থ, তথাপি কলিযুগত যিসকল ভক্ত জন্মিব, সেইসকলৰ প্ৰতি অনুগ্ৰহ প্ৰকাশ কৰি দুখ আৰু তমোগুণনাশক পৱিত্ৰ যশ তেওঁ বিস্তাৰ কৰিছে। তেওঁৰ সেই যশ, সাধু-সকলৰ কৰ্ণামৃত আৰু শ্ৰেষ্ঠ তীৰ্থস্বৰূপ। এবাৰ মাথোন সেই গুণ যশ কৰ্ণাঞ্জলি ভৰি পান কৰিলে, পুৰুষে কৰ্ম্মবাসনা পৰিত্যাগ কৰিবলৈ সম্যকৰূপে সমৰ্থ হয়। সেই ভগৱন্তই স্নিগ্ধসস্মিত—দৰ্শন, উদাৰ-বচন, বিক্ৰমলীলা আৰু সৰ্ব্বাঙ্গসুন্দৰ মূৰ্ত্তিৰ দ্বাৰাই সমস্ত মনুষ্যলোকক আনন্দিত কৰিছিল। মকৰ-কুণ্ডল থকাত তেওঁৰ কৰ্ণদ্বয় আৰু কপোলযুগলৰ কেনে শোভা হৈছিল। বিলাস সম্বলিত হাস্য সেই মুখত লাগিয়েই আছিল। সেই বাবে যেন নিতৌ উৎসৱ। তেওঁৰ সেই মুখ দৃষ্টিৰ দ্বাৰাই পান কৰি, নৰ-নাৰীসকলৰ পৰিতৃপ্তি নহৈছিল। তেওঁৰ ভুৱন-মোহন ৰূপ দেখি তেওঁলোক আহ্লাদিত হৈছিল সঁচা, কিন্তু তেওঁলোকৰ নয়নৰ নিমিষে অসহিষ্ণু হৈ

নিবেষকৰ্ত্তা নিমিৰ ওপৰত বাৰে বাৰে খং কৰিছিল। ৰাজন্! শ্ৰীকৃষ্ণই নিজৰূপে জন্মগ্ৰহণ কৰিছিল; তাৰ পিছত মনুষ্যাকাৰ হৈ পিতৃৰ গৃহৰ পৰা ব্ৰজলৈ গৈছিল। তাত ৰিপু বিনাশ কৰি ব্ৰজবাসীসকলৰ প্ৰয়োজন সাধন কৰে। তাৰ পিছত বহুত দাৰ পৰিগ্ৰহ কৰি সেইসকলত শত শত সন্তান উৎপাদন কৰি আৰু লোকসমাজত স্বকীয় বেদমাৰ্গ বিস্তাৰ কৰি ভূৰি ভূৰি যজ্ঞৰ দ্বাৰাই নিজৰেই অৰ্চনা নিজে কৰিছিল। কুৰুসকলৰ মাজত সমুত্থিত কলহক হেতু কৰি দৃষ্টিৰ দ্বাৰাই যুদ্ধত ৰজাসকলৰ সৈন্য সংহাৰ কৰি পৃথিৱীৰ গুৰুভাৰ হৰণ আৰু অৰ্জুনৰ জয় ঘোষণা কৰি, উদ্ধৱক তত্ত্বজ্ঞান উপদেশ দি শ্ৰীহৰি নিজ ধামলৈ গমন কৰিছিল।"

শ্ৰীমদ্ভগৱৎ গীতাত ঈশ্বৰে তেওঁৰ অৱতাৰৰ কাৰণ নিজ মুখেই এইদৰে কৈছে—

"অজোঽপি সন্নব্যয়াত্মা ভূতানামীশ্বৰোঽপি সন।
প্ৰকৃতিং স্বামধিষ্ঠায় সম্ভবাম্যাত্মমায়য়া ॥
যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্ম্মস্য তদাত্মানং সৃজাম্যহং ॥
পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাং।
ধৰ্ম্ম সংস্থাপনাৰ্থায় সম্ভবামি যুগে যুগে।"

ইয়াৰ অৰ্থ-যদিও মই জন্মহীন অবিনাশী মহান ঈশ্বৰ, তথাপি নিজৰ মায়াৰে প্ৰকৃতিত অধিষ্ঠান কৰি জনম ধৰোঁ। যেতিয়া ধৰ্ম্মৰ গ্লানি হয়, অধৰ্ম্মৰ জয় হয়, তেতিয়া সাধুক পৰিত্ৰাণ কৰিবলৈ, দুৰ্জ্জনক সংহাৰ কৰিবলৈ আৰু ধৰ্ম্মসংস্থাপনৰ নিমিত্তে যুগে যুগে মই অৱতাৰ ধৰোঁ।

ভগৱন্তই অৱতাৰ ধৰাৰ, গীতাই দিয়া এই কাৰণটো যদিও ঠিক, তথাপি সি সম্পূৰ্ণ নহয়। তাৰ আৰু এটা বিভাৱ আছে। কিন্তু গীতাত ভগৱন্তই সেই বিভাৱটো তেতিয়া অৰ্জ্জুনৰ আগত তুলি ধৰিবৰ আৱশ্যক নাছিল দেখি সেইটো সেই সময়ত উল্লেখ কৰা নাছিল। ধৰ্ম্মযুদ্ধৰ নিমিত্তে আৰু ন্যায়ৰ প্ৰতিষ্ঠাৰ নিমিত্তে অৰ্জ্জুনক সজাগ কৰিবৰ সময়ত ওপৰত দিয়া কাৰণেই যথেষ্ট। শ্ৰীমদ্ভাগৱতে ভগৱন্তৰ অৱতাৰৰ কাৰণৰ বাকী অংশ (শ্ৰেষ্ঠ অংশ) দি তাক সম্পূৰ্ণকৈ প্ৰকাশ কৰিলে। সেইটো এই :—

"অনুগ্ৰহায় ভক্তানাং মানুষং দেহমাশ্ৰিতঃ।
ভজতে তাদৃশী ক্ৰীড়া যাং শ্ৰুত্বা তৎপৰো ভবেৎ ॥"

অৰ্থাৎ ভগৱন্তই মনুষ্যশৰীৰক আশ্ৰয় কৰি এনেকুৱাবোৰ লীলা কৰে, যাক শ্ৰৱণ কৰি মানুহে তেওঁত ভক্তিমান হব।

"ভকতৰ পদে আপুনি হৰি।
ক্ৰীড়িলা ৰঙ্গে নৰ দেহা ধৰি ॥" —কীৰ্ত্তন

পৰমব্ৰহ্মৰ শেষ আৰু চূড়ান্ত বিভাৱ আনন্দং। এই বিভাৱৰ অনুভৱ, প্ৰকাশ আৰু বৰ্ণনাৰ শাস্ত্ৰ শ্ৰীমদ্ভাগৱত। সেইদেখি তাত আনন্দময় পৰমব্ৰহ্মৰ অৱতাৰৰ এই কাৰণ দিয়া হৈছে। বাস্তৱিকতে এই কাৰণেইহে খাই কাৰণ।

ঈশ্বৰ যে আনন্দময়, "আনন্দং ব্ৰহ্মেতি ব্যজানাৎ" উপনিষদৰ এই সূত্ৰৰ, শ্ৰীমদ্ভাগৱত অমৃতময় আনন্দময় মধুময় ৰসময় বিশদ ব্যাখ্যা। "ব্ৰহ্ম সঙ্গীতত" এটা গান আছে—

"প্ৰেমেৰ নদী নামিল ধৰায়।
তোৰা কে যাবিৰে আয়ৰে আয়।"

জাতিকুলেৰ বাঁধন দড়ি দাও সবে খুলে ;
গেয়ে নামেৰ সাৰি নৰনাৰী ভেসে সবে যাই ত্বৰায়।
শুনিয়ে আহ্বান, জাতিকুলমান তেয়াগি ছুটিবে সবে,
মহা সম্মিলন, পূৰিবে ভুবন, জয় জয় ব্ৰহ্ম ৰবে ॥"

এয়েই গোপীসকলৰ প্ৰেমভক্তি, বৃন্দাবনৰ ৰাসলীলা। এই বাবেই শ্ৰীমদ্ভাগৱতৰ ধৰ্ম্ম প্ৰেমময়ৰ প্ৰেমধৰ্ম্ম, ৰসময়ৰ প্ৰতি ভক্তৰ ৰসময়ী ভকতিৰ উৎস, যিটোৱেই ভকতৰ এক মাথোন প্ৰাৰ্থনাৰ বস্তু :—

"ৰসময়ী মাগোহো ভকতি।" —ঘোষা

এইবাবেই ৰসৰ আলয় শ্ৰীমদ্ভাগৱত :

"নিগম কল্পতৰুৰ্গলিতং ফলং।
শুকমুখাদমৃত দ্ৰৱ সংযুতং ॥
পিৱত ভাগৱত ৰসমালয়ং মুহু
ৰহো ৰসিকা ভুৱি ভাবুকাঃ ॥"

ভাগৱত আগৰ পৰা শুৰিলৈকে আনন্দময় ব্ৰহ্মৰ আনন্দময় লীলাবাদ। দৈত্য-বধাদি কাৰ্য্যবো শুৰিত, মাজত, অন্তত প্ৰচ্ছন্ন আনন্দলীলা। শ্ৰীধৰ স্বামীয়ে কৈছে—"ভগৱতঃ সিসৃক্ষাদিৱৎ কদাচিৎ যুযুৎসা সমজনি।" ভগৱন্তৰ সৃষ্টিৰ ইচ্ছা যেনেকৈ হয়, আনন্দলীলা কৰিবৰো ইচ্ছা স্বভাৱতে সম্পজিল, তাৰ দ্বাৰাই তেওঁ নিজানন্দত তুষ্ট আনক আনন্দ দিও তুষ্ট।—

"তুমি শুদ্ধ বুদ্ধ নিত্য নিৰ্ম্মল নিৰ্গুণ দেৱ,
মোৰ প্ৰভু নাৰায়ণ এ,
স্বৰূপ আনন্দে সদা সুখী,
হৰি হৰি তুমি নিজানন্দে সদা সুখী।"
—ঘোষা

আনন্দময়ৰ ধেমালি বা কৃত্তি কৰিবৰ মন গ'ল। কিন্তু কোন তেওঁৰ সমান আছে যে যি তেওঁৰে সৈতে "দুপেচ-এপেচ খেলি" অলপ মানপ্ৰৰ তেওঁক কৰোৱাই দিব পাৰে? তেওঁৰ ভক্তইহে তেওঁৰ অনুগ্ৰহত তেওঁৰে সৈতে সেই কাৰ্য্যত এবাৰ দুবাৰ কঁকাল পাতিব পাৰে। সেইদেখি তেওঁৰ বৈকুণ্ঠৰ প্ৰধান ভক্ত দুৱৰী দুজন জয়-বিজয়ক, তেওঁ ব্ৰহ্মশাপ দিয়াই পৃথিৱীলৈ পঠিয়ালে। সেই কথা তেওঁ নিজ মুখেই স্বীকাৰ কৰিছে—

"ব্ৰহ্মশাপ নকৰোঁ উচ্ছন্ন।
আছে পদে মোৰ প্ৰয়োজন।"
"হেন জানি হোৱা দুয়ো দৈত্য।
ভকতৰ ভয় আছে কৈত॥"

তেওঁৰ ধেমালি কৰিবৰ মন গৈছিল দেখি এই ধেমালি পাতিলে। নতুবা মহাযোগী, নিৰ্ব্বিকাৰী, মান অপমান চিন্তা বিৰহিত সনক সনন্দসকলৰ মনত খং উঠাটো জানো এনেই সম্ভৱ? শ্ৰেষ্ঠ বিষ্ণুভক্ত বৈকুণ্ঠবাসী জয়-বিজয়ৰ নিচিনা পাৰিষদৰ মনত জানো সনকাদিৰ নিচিনা ব্ৰাহ্মণৰ প্ৰতি অৱজ্ঞা ভাব ওপজাটো সম্ভৱ? এইদৰে তেওঁৰ মৰম্‌ৰ ভকত দুজনকে প্ৰবল দৈত্য সজাই যুদ্ধ পাতি বীৰৰসৰ ভাওনা কৰি ভাওনা চোৱা ভকত দৰ্শকসকলক ভাওনা দেখুৱাই আনন্দ দিয়া তেওঁৰ ধেমালি নহয় নো কি? পুতনাই তেওঁক বিহ সনা পিয়াহ দিবলৈ আহিলত পুতনাক তেওঁ বধ কৰা ভাওনা কৰি আমাক দেখুৱালে। আমি শোক, চিন্তা বিষাদ হৃষৰ আনন্দ পালোঁ। কিন্তু সেইখন সঁচা নে ধেমালি? যদি সঁচা হলহেঁতেন তেন্তে তেও পুতনাক 'জননীৰ গতি" দিব কিয়? আগৰ পৰা গুৰিলৈকে শ্ৰীমদ্ভাগৱতত মায়া মানুষী তনু ধৰা ভগৱন্ত পূৰ্ণানন্দৰ এইপৰ নিজৰ আনন্দৰ খেলা। তেওঁ আনন্দতে নিজে বিভোৰ হৈ আনন্দৰ ঢৌ তুলি খলক লগাব লাগিছে। আমি সেই আনন্দ নিজৰ দুৰ্ব্বুদ্ধিৰ বাবে বুজিব নোৱাৰি তাক গ্ৰহণ কৰিব নোৱাৰোঁ। আৰু কওঁ পৃথিৱীত আনন্দ ক'ত? ঈশ্বৰ সচ্চিদানন্দ। তেওঁক অকল সৎ-ভাৱে, চিৎভাৱে বুজিলেই নহয়। সৎ আৰু চিৎ দুইৰো সমন্বয়ত ওপজা সুমিষ্ট আনন্দভাৱে বুজিলেহে প্ৰকৃতকৈ বুজা হয় আৰু বুজিলে তেতিয়াহে তোমাৰ হৃদয়ত বৃন্দাবন লীলাৰ আনন্দাভিনয় হব। ভাই! আৰু দুখ শোক দৈন্যৰ ভয় নাই। বেদে উচ্চ কৰি কৈছে, "আনন্দং ব্ৰহ্মণো বিদ্বান্ ন বিভেতি কুতশ্চন।' অন্তঃপ্ৰাজ্ঞ হৈ অন্তৰ্দৃষ্টি কৰি আহা আমি বৃন্দাবনলৈ যাওঁ, আনন্দময়ৰ আনন্দলীলা চাই নিজক সজীৱ কৰি ৰাখোঁ—"আনন্দেন জাতানি জীৱন্তি।" আৰু আমাৰ মহাপুৰুষে আমাক মাতিছে—

"আলো ভাই চল আইস যাওঁ বৃন্দাবনে।
দেখোঁ গৈয়া আনন্দ নয়নে॥
সুৰভি চৰয় হাম্বাৰৱে।
বিনোদ মিলিছে ঠাৱে ঠাৱে॥
সকল বিৰিন্দাবন ছানি।
জয় জয় ৰামকৃষ্ণ ধ্বনি॥
বজে বাই শিঙা শঙ্খ বেণু।
নাচে হাসে গাৱে চাৱে ধেনু॥
ৰামকৃষ্ণ নোহন্ত মানুষ।
তাৰা দুই পৰম পুৰুষ॥
ব্ৰজৰ প্ৰজাৰ ভাগ্য বৰ।
কহয় মাধৱ ওহি ডৰ॥"

(বাঁহী: ৮ম বছৰ, ১১শ সংখ্যা—১৩৩৯শক)

শ্ৰীকৃষ্ণ-কথা

(১)

বেদ বিভিন্ন, স্মৃতি বিভিন্ন। নানা মুনিৰ নানা মত। সেইদেখি মহাজনসকলে যেনে বাটেদি চলে, সেইটোৱেই ঈশ্বৰ-লাভৰ প্ৰকৃষ্ট বাট। এয়ে বিজ্ঞজনৰ উপদেশ। শাস্ত্ৰবোৰ ওপৰে ওপৰে পঢ়ি গলে আৰু "মই মহাপণ্ডিত, দৰ্শন, ব্যাকৰণ, কোষ আদি গ্ৰন্থত মই সুনিপুণ,—এতেকে মই শাস্ত্ৰৰ আচল মৰ্ম্ম নুবুজিম কিয়?' এনে অহঙ্কাৰ বা বিদ্যাভিমানৰ ভাব লৈ তত্ত্বপথোপদেশক শাস্ত্ৰ পঢ়িবলৈ যোৱাইও শাস্ত্ৰৰ আচল তত্ত্ব পাব নোৱাৰে। সাধু ভক্তসকল, যাৰ বিদ্যাভিমান নাই, অহমিকা নাই, যি ভক্তিভাৱে শাস্ত্ৰৰ প্ৰকৃত মৰ্ম্মত প্ৰৱেশ কৰিবলৈ যায়—পণ্ডিত হৈ পণ্ডিত বোলাবলৈ নহয়, যি নীৰ এৰি ক্ষীৰ সংগ্ৰহ কৰিব জানে, তেনে নিপুণসকলেহে বেদাদি ধৰ্ম্মশাস্ত্ৰৰ পৰা প্ৰকৃত তত্ত্ব-বস্তু বুজি লাভ কৰিব পাৰে। এই বাবেই মহাপুৰুষে ঘোষাত লেখিছে—

"পৰম নিপুণসবে বুজিয়া শাস্ত্ৰৰ তত্ত্ব
হৰিপদ-পঙ্কজে ভজিয়া।
হৰি-কীৰ্ত্তনৰ মহানিৰ্ভয় আনন্দে মজি
থাকে সুখে মুকুতি ত্যাজিয়া॥"

বেদাদি শাস্ত্ৰৰ প্ৰকৃত মজ্জাত যি প্ৰৱেশ কৰে, তেৱেঁই দেখিবলৈ পায়, যে সেই মজ্জা হৈছে ঈশ্বৰৰ নাম-গুণ কীৰ্ত্তন। সেই বস্তুৱেই সাৰ বস্তু, তেহেলৈ শাস্ত্ৰই ভুৰি ভুৰি আন উপদেশ বিধি বিধান দিছকে দিয়ক। সেই সাৰ বস্তু লভি অখণ্ড অপৰানন্দ লাভ কৰোঁতাক হে চতুৰ বোলে—

'যিসব চতুৰ নৰে মাধৱৰ নাম-গুণ
কীৰ্ত্তন কৰন্ত সাৱধানে।
দেৱৰো দেৱতা হৰি তাহাৰ হৃদয় এৰি
যাইবাক নপাৰে আন স্থানে॥"

"সেহিসে চতুৰ যিটো পুণ্যৰ নিদানভূত
নাৰায়ণ নামক স্মৰে।
অচতুৰ সিটো অতি পাপৰ নিদানভূত
নাবে অৰ্থবাদ যিটো কৰে ॥" —ঘোষা

সাৰ বস্তু বিচৰা সাধু ভক্তইতো শাস্ত্ৰৰ অৰ্থবাদ কৰি সময় নষ্ট নকৰে। তেওঁ একেবাৰেই সাৰ বস্তুত হাত দিবলৈ যায়। সেই সাৰ বস্তু হৈছে মাথোন ঈশ্বৰৰ নাম-গুণকীৰ্ত্তন। এই সাৰ বস্তুত মজি থাকোঁতাসকলে, আন একোলৈকে চকু নিদিয়ে। আনকি মুক্তি-সুখলৈকো তেওঁলোকৰ ধাউতি নাই। শাস্ত্ৰৰ বিধি-ব্যৱস্থা মতে কঠোৰ সাধ্য-সাধনা কৰি মুক্তি-সুখ লভোঁতাসকলেও মুক্তিক তুচ্ছ বিবেচনা কৰি কীৰ্ত্তনৰ সুখত মজি থাকিবলৈ হাবিলাষ কৰে—

"হৰি-কীৰ্ত্তনৰ মহা আনন্দ সুখক আশে
কতো কতো সব মহাজনে।
মুকুতি সুখক ত্যাজি মহন্ত জনৰ সঙ্গ
খোজে অতি কৃষ্ণৰ চৰণ ॥"

মুক্তি-সুখ লভোঁতাই সাধু ভক্তৰ সঙ্গ লৈ কীৰ্ত্তনৰ সুখৰ প্ৰতি হাবিলাষ নকৰিলে অসীম আনন্দৰসৰ আলয় কীৰ্ত্তনৰ সুখ নাপায়; কিন্তু কীৰ্ত্তনৰ সুখত মজি থাকোঁতা ভক্তৰ হাতত মুক্তি-সুখ হস্তামলকবৎ।

"কিন্তু ইটো মহাধৰ্ম্ম মাধৱৰ জন্ম কৰ্ম্ম
বেদে যাৰ, নাজানে মহিমা।
হৰি নাম কীৰ্ত্তনত মিলে মোক্ষ আদি যত
কীৰ্ত্তন সুখৰ নাহি সীমা ॥

মধুৰৰো সুমধুৰ হৰিৰ কীৰ্ত্তন ৰস
মঙ্গলৰো পৰম মঙ্গল।
এতেকেসে মুকুতিকো ত্যজি হৰি গুণ গায়া
ফুৰে মহা মহন্তসকল ॥" —ঘোষা

এই বাবেই জীৱন্মুক্ত শুকদেৱে পৰীক্ষিতক কৈছিল :—

"শুক নিগদতি পৰীক্ষিত, যদি আমি নিৰ্গুণত স্থিত,
তথাপি উত্তম শ্লোকৰ মহিমা গুণে।
কৰিলেক মোৰ বশ্য চিত্ত ভাগৱত গ্ৰন্থ বিপৰীত
পৰৰ আনন্দে পঢ়িলোঁ মই আপুনে ॥"

এই বাবেই—

ব্ৰহ্মা, মনু, হৰ, কপিল, কুমাৰ,
শুক, ভীষ্ম, বলিৰায়।
যম, জনক, প্ৰহ্লাদ, নাৰদ যাৰ জন সমুদায় ॥

এওঁলোকে কঠোৰ তপস্যা, অশেষ সাধ্যসাধনা কৰি মুক্তিৰ অধিকাৰী হৈয়ো, তাত নিস্পৃহ হৈ শ্ৰৱণ-কীৰ্ত্তন ভক্তি-সুখত মজি থাকে। এই বাবেই মহাপুৰুষে ঘোষাত কৈছে—

"ঐকান্তিক মহামুনি যত, নিবৰ্ত্তিয়া বিধি নিষেধত
নিৰ্গুণ ভাৱত স্থিতি হয়া নিৰন্তৰ।
জানি পুৰুষাৰ্থ সাৰতত্ত্ব কৃষ্ণ-কথামৃত সাগৰত
কথনে-মথনে সদায়ে ৰমণ কৰে ॥

হৰিৰ গুণৰ দেখা বল, লভিলেক যিটো মোক্ষফল
তাহাৰা সবৰো মনক আনয় টানি।
এতেকে নিপুণ যিটো জন কৃষ্ণৰ চৰণে দিয়া মন
হৰিৰ গুণক নছাড়িবা সাৰ জানি ॥"

এতেকে ভাইসকল। আহাঁ সকলো আহাঁ! ব্ৰাহ্মণ আহাঁ, শূদ্ৰ আহাঁ, স্ত্ৰী আহাঁ, চণ্ডাল আহাঁ! সকলো মিলি হৰিৰ নাম-গুণ গাই আনন্দ কৰি অপ্ৰয়াসে ভব-সংসাৰ তৰি যাওঁহক। শাস্ত্ৰৰ অসংখ্য কেৰিমেৰি পাকত নোসোমাই, বিধি-নিষেধৰ চাকনৈয়াত পৰি ঘূৰি বুৰি ওপঙি নমৰি, আহাঁ। ঘৰতে বহি, সংসাৰৰ সকলো কৰ্ত্তব্য কৰ্ম্ম কৰি থাকিও, শয়নে-সপোনে গমনে ভোজনে হৰি নাম গাই অপাৰ আনন্দ ৰসত মজি সংসাৰ-সাগৰ পাৰ হৈ যাওঁহক।

"যাৰ নামে, যাৰ প্ৰেমে
নাৰদ বৈৰাগী,
মহাদেৱ যোগী,"

তাৰ নাম কীৰ্ত্তন কৰি, আমাৰ পৰম উপকাৰী শ্ৰীশঙ্কৰ শ্ৰীমাধৱদেৱৰ ব্যৱস্থা অনুসৰি, দূৰতে শাস্ত্ৰ-বিহিত কঠোৰ ধৰ্ম্মপদ্ধতিবোৰ পৰিহাৰ কৰি আহাঁ বন্ধুসকল আহাঁ। আমি যম, কাল, মায়াৰ হাত সাৰোঁহক। আমি ঈশ্বৰৰ সন্তান। ঈশ্বৰ পৰম দয়ালু। চোৱাহঁক, তেওঁ আমাক হাত মেলি তেওঁৰ কোলালৈ মাতিব লাগিছে। তেওঁ তেওঁৰ কোলালৈ যোৱা আমাৰ বাটত দুৰ্লঙ্ঘ্য শাস্ত্ৰৰ হেঙাৰ দি থোৱা নাই। সেই হেঙাৰবোৰ আমি নিজেহে দি লৈ তেওঁৰ কোলালৈ সহজে যাব নোৱাৰা হৈ পৰিছোঁ। তেওঁৰ আহ্বানলৈ আমি কাণ নিদি মানুহে কৰা অসংখ্য শাস্ত্ৰৰ হিঙলৈ কাণ দি আমাৰ কাণ কলা কৰিছোঁহক। তেওঁ নিজৰ মুখেৰেই মহাশাস্ত্ৰ গীতাত মহাভক্ত অৰ্জ্জুনক কৈছে—

"কৃষ্ণ নিগদতি সব্যসাচি পৰমাৰ্থতত্ত্ব লৈয়ো বাছি,
সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আমাত।
মোতে মাত্ৰ সদা দিয়া চিত্ত, গায়ো মোৰ গুণনাম গীত
সকল শাস্ত্ৰৰ কহিলো সাৰ সাক্ষাত ॥"

ৰহস্যক জানে যিটোলোক, সততে কীৰ্ত্তন কৰে যোক,
ধৰি দৃঢ় ব্ৰত কৰি মন বিপৰীত।
মোৰ সৰ্ব্বোত্তম দুই পাৱে কৰে নমস্কাৰ ভকতি ভাৱে
তাৰ মোৰ এৰা-এৰি নাহি কদাচিত ॥"

"আমাৰ নিৰ্ম্মল ভকতি দুৰাচাৰো তৰে কোন চিত্ৰ,
আমাক ভজিয়া চণ্ডালো তৰে সংসাৰ।
স্ত্ৰী বৈশ্য শূদ্ৰ আদি যত বিষয়ত সদা মাত্ৰ ৰত,
মোক ভজি সুখে ইসবো হোৱে উদ্ধাৰ ॥"

"ভক্তিৰ মহিমা অদভুত অধৰ্ম্ম ত্যাজিয়া ধৰ্ম্মচিত্ত
হোৱে শীঘ্ৰ মোক ভক্তি জানা কুন্তীসুত।
আৰু যি কুতৰ্কী ননানয় তথা গৈয়া বায়া বাদ্যচয়
যাহ মেলি কৰা অঙ্গীকাৰ অদভুত ॥"

এহি নিমিত্তে—"ৰাম কৃষ্ণ বুলি অনাথে ডাকয়।
অনাথক দয়া কৰা কৃপাময় ॥"

হিন্দুসকল যিমানবোৰ সম্প্ৰদায়তে বিভক্ত নহওক, কৃষ্ণোপাসনাত প্ৰায় সকলো একে। শ্ৰীকৃষ্ণ বেদৰ বিষ্ণুৰ অৱতাৰ। বিষ্ণু মানে সৰ্ব্বব্যাপক সৰ্ব্বান্তৰ্য্যামী ব্ৰহ্ম। বিষ্ণুৰ উপাসনা, বিষ্ণুৰ পূজা নহলে কোনো দেৱতাৰে পূজা নহয়। পূজাৰ প্ৰথমতো বিষ্ণু, মাজতো বিষ্ণু, অন্ততো বিষ্ণু। বিষ্ণুৰে আন এটা নাম মাধৱ।

"মাধৱো মাধৱো বাচি মাধৱো মাধৱো হৃদি।
স্মৰন্তি মাধৱঃ সৰ্ব্বে সৰ্ব্বকাৰ্য্যেষু মাধৱং ॥"

"মাধৱ মাধৱ নাম বচনত উচ্চৰয়
মাধৱ মাধৱ হৃদয়ত।
নিৰন্তৰে সাধুসৱে মাধৱ মাধৱ নাম
উচ্চৰয় সমস্ত কাৰ্য্যত ॥" (ঘোষা)

এয়েই পৰমাৰ্থ-সাৰ। বেদাদি সকলো শাস্ত্ৰই এই কথাকে কয় আৰু এয়েই সকলো শাস্ত্ৰৰে নিগূঢ় তত্ত্ব।—

"বেদে ৰামায়ণে পুৰাণে ভাৰতে
আদি মধ্য অৱসানে।
হৰিকেসে মাত্ৰ কহয় নিশ্চয়
জানা তত্ত্ব এহিমান ॥" (ঘোষা)

জ্ঞানকাণ্ডী আৰু কৰ্ম্মকাণ্ডীৰ এইখিনিতে ঐক্য। কৃষ্ণই বিষ্ণু ভগৱন্ত পৰমব্ৰহ্ম।

"ব্ৰহ্মতি পৰমাত্মেতি ভগবানিতি শব্দেতি ॥"
(ভাগৱত)

"ব্ৰহ্ম পৰমাত্মা কৰিয়া যি হেতু
ঐশ্বৰ্য্যৰ নাহি অন্ত।
এহি হেতু মহা মহন্তসকল
বোলে তাঙ্ক ভগৱন্ত ॥" (ঘোষা)

ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ সচ্চিদানন্দ বিগ্ৰহঃ।
কৃষ্ণই পৰমতত্ত্ব।
"যোগীসৱে বোলে এহি হেন্তেনে ব্ৰহ্মতত্ত্ব।" (কীৰ্ত্তন)

এই ব্ৰহ্ম-তত্ত্বৰে পৰা সৃষ্টি স্থিতি লয়। এই এক অদ্বৈতৰে পৰা সৃষ্টি; তেওঁৰে দ্বাৰাই সৃষ্টিৰ স্থিতি, আৰু তেওঁতে সৃষ্টিৰ লয়। "জন্মাদস্য যতঃ।" উপনিষদে এওঁকে ব্ৰহ্ম, যোগীয়ে এওঁকে পৰমতত্ত্ব আৰু ভক্তই এওঁকে ভগৱন্ত বোলে। এই তিনটা নামে একমেবাদ্বিতীয়াং এওঁৰে তিনটা বিকাশক বুজায়। ভগৱন্তত শব্দটোত সগুণ নিৰ্গুণ ব্ৰহ্মৰ ভাব সন্নিবিষ্ট। ভগৱন্ত সেইদেখি বিশ্বাতিগ আৰু একে সময়তে বিশ্বানুগ।

"তদন্তৰস্য সৰ্ব্বস্য তদু বাহ্যতঃ ॥" (ঈশোপনিষদ)
"বহিৰন্তশ্চ ভূতানাম।" —(গীতা)

সমস্ত সৃষ্টি এই ভগৱন্তত স্থিত, আৰু ভগৱন্ত সমস্ত সৃষ্টিত স্থিত। এই ভগৱন্তই শ্ৰীকৃষ্ণ। "কৃষ্ণস্তু ভগবান স্বয়ং"। সেইদেখি তেওঁ মুখ মেলি দিলতেই—

"যশোদা সুন্দৰী দেখন্ত পাছে।
সমস্ত জগত গৰ্ভতে আছে ॥
সাতোখন দ্বীপ সাতো সাগৰ।
গিৰি বন নদী গ্ৰাম নগৰ ॥
বায়ু সূৰ্য্য শশী দিশ আকাশ।
তাৰাগণ তৈতে কৰে প্ৰকাশ ॥
সমস্তে জীৱ জ্যোতিস্তেজ জল।
সত্ত্ব-ৰজ-তম ইন্দ্ৰিয় বল ॥
মন বুদ্ধি কাল কৰ্ম্ম যতেক।
সবাকো গৰ্ভতে দেখে প্ৰত্যেক ॥
যতেক ধেনু গোপ গোপী জাক।
যশোদা দেখে তৈতে আপোনাক। (কীৰ্ত্তন)

এই শ্ৰীকৃষ্ণ ভগৱন্তকে নানা সম্প্ৰদায়ৰ হিন্দুৱে নিজ সম্প্ৰদায়োক্ত নানা নামেৰে ভজনা কৰে।

ইংৰাজী শিক্ষিত হিন্দুৰ অনেকে কিন্তু কৃষ্ণক লৈ মহা বিভ্ৰাটত পৰিছে। তেওঁৰ নিগূঢ় লীলা সম্বলিত তত্ত্বৰ আছল মৰ্ম্মত প্ৰৱেশ কৰিব নোৱাৰি তেওঁলোকে নানা জল্পনা-কল্পনা কৰি মৰে। পাশ্চাত্য শিক্ষাৰ শব্দ, বচন, সূত্ৰ লৈ তেওঁলোকে এই পৰমতত্ত্বৰ বিশ্লেষণ কৰিবলৈ গৈ উৰাদিহ হেৰুৱায়। পাশ্চাত্য শিক্ষাৰ তৰ্জ্জু হাতত লৈ তেওঁলোকে পৰমতত্ত্ব ভগৱন্ত শ্ৰীকৃষ্ণক বৃন্দাবন, মথুৰা, কুৰুক্ষেত্ৰ আৰু দ্বাৰকাৰ শ্ৰীকৃষ্ণৰ সৈতে জুখিবলৈ গৈ জুখিব নোৱাৰি মহা গোলমালত পৰে। গীতাত শ্ৰীকৃষ্ণই কৈছে "যংপ্ৰাপ্য ন নিবৰ্ত্তন্তে তদ্ধামং পৰমং মম"—সেইয়েই আনন্দৰ ভৱন বৃন্দাবন বা বৈকুণ্ঠ বা গোলোক। সেই বৃন্দাবন কোনো ভৌগোলিক সীমাবদ্ধ নহয়। মথুৰা, বৃন্দাবন, কুৰুক্ষেত্ৰ,

খ্ৰীষ্টানৰ কৃষ্ণ পৰম ব্ৰহ্ম পৰম তত্ত্বৰ মনুষ্যৰূপে অৱতাৰ। পৰম ব্ৰহ্ম কৃষ্ণ, বাইবেলত কোৱাৰ দৰে Words Logos শব্দব্ৰহ্ম ; আৰু মনুষ্যৱতাৰ কৃষ্ণত Word made flesh" "মায়া মানুষীতনুঃ" ধৰোঁতা। পৰব্ৰহ্ম কৃষ্ণ আৰু অৱতাৰ কৃষ্ণ সেই ভগৱান স্বয়ম্ভুৱে অৱতাৰ শ্ৰীকৃষ্ণ। তেৱেঁই মায়াৰে মনুষ্য তনু ধৰিছে—ভক্তক কৃপা কৰিবলৈ। কৃষ্ণ ভগৱান স্বয়ং "ঈশ্বৰাণাম্ পৰমম্ মহেশ্বৰম"। অৱতাৰ কৃষ্ণ মনুষ্যৰূপে ঈশ্বৰৰ পূৰ্ণ প্ৰকাশ। তেওঁ নৰ, কিন্তু নৰোত্তম, আৰু সেই দেখিয়েই নাৰায়ণ। এই বাবেই শ্ৰীকৃষ্ণ সকলোবোৰ অৱতাৰৰ ভিতৰত পূৰ্ণাৱতাৰ। তেওঁ আদৰ্শ পুত্ৰ, আদৰ্শ প্ৰেমিক, আদৰ্শ বন্ধু, আদৰ্শ গৃহস্থ, আদৰ্শ প্ৰভু, আদৰ্শ যোদ্ধা, আদৰ্শ ৰাজনৈতিক, আদৰ্শ দূত, আদৰ্শ জ্ঞানী আৰু আদৰ্শ ধৰ্মব্যাখ্যাতা। মনুষ্য জীৱনৰ সকলো গুণৰে তেওঁ পৰিণতি। সেই দেখি—

"কৃষ্ণ নিজ ইষ্টদেৱ আত্ম প্ৰিয়তম গুৰু,
সুহৃদ সোদৰ বন্ধু জন।
কৃষ্ণমোৰ গতিমতি কৃষ্ণত ভকতি প্ৰীতি
কৃষ্ণ পাৱে নিমজোক মন ॥"

মহাপুৰুষ মাধৱদেৱে ঘোষা-শাস্ত্ৰত মুমুক্ষু, জ্ঞানী আৰু ভক্তৰ লক্ষণ, পুৰুষাৰ্থ, আৰু পুৰুষাৰ্থৰ ফলৰ কথা গোটাচেৰেক ঘোষাৰে অতি সুন্দৰ ভাৱে প্ৰকাশ কৰিছে। সেই কেইটা সকলোৱে যত্নেৰে মনত ৰখা উচিত :—

"অবিদ্যাজনিত সুখ সত্যলোক আদি কৰি
আত নিৰপেক্ষ নিৰন্তৰ।
কেৱল চিদাঙ্গ শুদ্ধি কৰণেসে মাত্ৰ জানা
পুৰুষাৰ্থ মুমুক্ষু জনৰ ॥"

যি জন মুমুক্ষু অৰ্থাৎ মুক্তিৰ অভিলাষী, তেওঁ অবিদ্যা অৰ্থাৎ মায়া, অজ্ঞানতা, তম, মহামোহ, তামিস্ৰ আৰু অন্ধতামিস্ৰ এই পাঁচ প্ৰকাৰ অবিদ্যাৰ পৰা উৎপন্ন হোৱা—লোক, ভূলোক, ভুৱলোক, স্বলোক, মহলোক, জনলোক, তপলোক, সত্যলোক এই সপ্তলোক প্ৰাপ্ত হোৱা সুখতো সদায় নিৰপেক্ষ, অৰ্থাৎ এনে সুখলৈকো তেওঁৰ ধাউতি নাই। তেওঁৰ পুৰুষাৰ্থ, তেওঁৰ চেষ্টা, তেওঁৰ ধাউতি কেৱল চিৎ আৰু অঙ্গ শুদ্ধি অৰ্থাৎ দেহ মন শুদ্ধিৰ কাৰণেহে।

"বিদ্যা অবিদ্যা জন্য সুখে নিৰপেক্ষ হয়া
কৰিল আপোন মন স্থিৰ।
বাসুদেৱময় মাত্ৰ সকলো জগত ইটো
পুৰুষাৰ্থ জানিবা জ্ঞানীৰ ॥"

জ্ঞানীৰ চেষ্টা আৰু ধাউতি বিদ্যা অৰ্থাৎ তত্ত্বজ্ঞান লাইবা অবিদ্যাৰ কাৰণে নহয়। বিদ্যা আৰু অবিদ্যা এই দুইটাৰ পৰা উত্তৰ হোৱা সুখলৈ তেওঁৰ সমূলি চকু নাই। তেওঁৰ চকু মাথোন মন থিৰকৈ লৈ সকলো জগতক বাসুদেৱময় দেখাটোহে।

"সমস্ত সুখক ত্যজি পুৰুষোত্তমৰ প্ৰেম
ভকতিক কৰিল আশ্ৰয়।
ভকত সবৰ এহি পুৰুষাৰ্থ মনোনীত
আত সুখ অধিকে পাৱয় ॥"

ভক্তই কোনো সুখকে নিবিচাৰে। তেওঁৰ পুৰুষাৰ্থ মাথোন ঈশ্বৰৰ প্ৰেমময় ভক্তিৰ কাৰণেহে। এই প্ৰেমাভক্তি মাথোন তেওঁৰ আশ্ৰয়। আন একোলৈকে তেওঁৰ হাবিয়াস নাই। কাৰণ তেওঁৰ মনত এই ভক্তি সুখ আন সকলো সুখতকৈ শ্ৰেষ্ঠ।

ফলত—

"মুমুক্ষু জনৰ যেবে অবিদ্যাজনিত সুখে
বিৰকতি ভৈল অতিশয়।
কেৱল আত্মাত মাত্ৰ সদায় ৰমণ কৰে
তেৱে বিধি-কিঙ্কৰ গুচয় ॥"

অৰ্থাৎ মুমুক্ষুজনে ওপৰত কোৱাৰ দৰে পুৰুষাৰ্থ কৰি কৰি অবিদ্যাৰ পৰা উৎপন্ন হোৱা সুখত যেতিয়া একেবাৰেই বিৰাগী হব পাৰিব, তেতিয়াহে তেওঁ বিধিৰ কিঙ্কৰ গুচি মুক্তি-সুখ লাভ কৰিব পাৰিব।

"জ্ঞাননিষ্ঠ জনে বিদ্যা অবিদ্যাজনিত দুয়ো
সুখে বিৰকতি ভৈল যেবে।
বাসুদেৱময় মাত্ৰ দেখয় জগত ইটো
বিধিৰ কিঙ্কৰ গুছে তেবে ॥"

অৰ্থাৎ জ্ঞানীয়ে পুৰুষাৰ্থ কৰি কৰি বিদ্যা আৰু অবিদ্যাৰ পৰা হোৱা দুইটা সুখৰ প্ৰতি একেবাৰেই যেতিয়া বীতৰাগ হৈ গোটেই জগৎ বাসুদেৱময় দেখিব, তেতিয়াহে তেওঁ বিধিৰ কিঙ্কৰ গুচিব কিন্তু—

"পুৰুষোত্তমৰ প্ৰেম ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিল যিটো জন।
শৰণ কালৰ পৰা বিধিৰ কিঙ্কৰ গুচি
কৰে সদা শ্ৰৱণ-কীৰ্তন ॥"

অৰ্থাৎ ভক্তই যি মুহূৰ্ত্তৰ পৰা নিশ্চয়কৈ ঈশ্বৰৰ এক মাথোন প্ৰেম-ভকতিত আত্মনিয়োগ কৰিলে, সেই মুহূৰ্ত্তৰ পৰা তেওঁ বিধিৰ কিঙ্কৰ গুচিল। এই নিমিত্তেই গুৰুজনে কৈছে—

"ভকতি সমান বলী নাহি নাহি আৰ।
কহয় মাধৱ, গতি নন্দৰ কুমাৰ।"

এই নিমিত্তেই তেওঁ যোষাব প্ৰথমতে বুলিছে—

"মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।"

"তপ জপ যজ্ঞ দান সবে বিড়ম্বন।
কেৱলে ভক্তিত তুষ্ট হোন্ত নাৰায়ণ॥"

(শ্ৰীশঙ্কৰদেৱ)

এই ভক্তিৰ ভাবেই মধুৰ ভাব। ঈশ্বৰৰ ঐশ্বৰ্য্য ভাবত যেনেকৈ নিয়মৰ কঠোৰতা, মাধুৰ্য্যৰ ভাবত তেনেকৈ কৰুণাৰ কোমলতা। এই ভাবতে ঈশ্বৰ প্ৰেমময়, কৰুণাময়। এই ভাবতেই তেওঁ বাইবোলত কৰৰ নিচিনা, জীৱৰ দুখত কাতৰ হৈ জীৱৰ পাপৰ ভাৰ বহন কৰিবলৈ নিজৰ প্ৰিয়-পুত্ৰ যীচুক পৃথিৱীলৈ পঠিয়াইছিল। এই ভাবতে তেওঁ মাক-বাপেকক কংসৰ কাৰাগাৰৰ দুখৰ পৰা মুক্ত কৰিবলৈ "কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ।' এই ভাবতে তেওঁ ৰাজ-প্ৰসাদ পৰিত্যাগ কৰি নিজৰ কেঁচুৱা লৰা আৰু সুন্দৰী স্ত্ৰীৰ ফালে ভ্ৰূক্ষেপ নকৰি সকলো সুখ-সম্পদ বিসৰ্জ্জন দি দুৰ্ঘোৰ তপস্যা আৰু ক্লেশ কৰি জগতৰ দুখ মোচন কৰিবলৈ বুদ্ধ অৱতাৰ ধৰিছিল। এই ভাবতেই তেওঁ ভৃগুৰ পদাঘাত বুকুত অঙ্গভূষণকৈ লৈ, মুনিৰ কোমল ভৰিয়ে কি জানি টান পাইছিল, এই ভাবি ব্যাকুলতা প্ৰকাশ কৰিছিল। এই বাবেই তেওঁ ভক্তক কৃপা কৰিবলৈ মায়াৰে মনুষ্য তনু ধৰিছিল। এই ভাবতে তেওঁ যশোদাৰ হাতত বাধোন লৈছিল। বদ্ধ জীৱই কেনেকৈ ঈশ্বৰৰ ঐশ্বৰ্য্যৰ বিবাট মুক্ত ভাব আয়ত্ত কৰিব? বিশ্বৰূপ দেখি ভয়ত অৰ্জ্জুনে চকু মুদি, তেওঁৰ আগৰ সখা ভাবেৰে তেওঁক আকৌ দেখা দিবলৈ প্ৰাৰ্থনা কৰিছিল। ঈশ্বৰৰ মধুৰ ভাব উপলব্ধি কৰিবৰ উপায় এক মাথোন ভক্তি। ভক্তিৰে যঁহা-কাচৰ সহায়েৰেহে অচিন্ত্য অনন্ত ভগৱন্তক নয়ন-গোচৰ চিত্ত-গোচৰ কৰিব পাৰি। ভক্তিৰ সহায়েৰেহে মধুৰ ভগৱন্তৰ মাধুৰ্য্য উপলব্ধি হয়। ভক্তি মানে ঈশ্বৰত অতিশয় অনুৰাগ। "সা পৰানু ৰক্তিৰীশ্বৰে।" চিত্তৰ যি অৱস্থাৰে ঈশ্বৰক অতিকৈ নিজৰ বস্তু যেন লাগে সেই অৱস্থাৰ নামেই ভক্তি। প্ৰহ্লাদে এনে ভক্তি কৰিছিল—

"পঞ্চ বৰিষতে মহামতি।
ক্ৰীড়া এৰি কৰন্ত ভকতি॥
নিতান্তে হৰিক কৰি ধ্যান।
হৰি বিনে নেদেখন্ত আন॥
সদায় কৃষ্ণৰ গুণ কহে।
চিত্তত ধৰিল কৃষ্ণ গ্ৰাহে॥
নেৰে মন গোবিন্দৰ পাৱ।
কৃষ্ণত ওপজে প্ৰেম ভাৱ॥
কৃষ্ণক চিন্তন্তে দ্ৰৱে মন।
কেহো বেলা কৰন্ত ক্ৰন্দন॥
কেহো বেলা হাসন্ত আহ্লাদে।
কতো গুণ গাৱন্ত প্ৰহ্লাদে॥
গোবিন্দক আনন্দে ডাকন্ত।
লাজ এৰি কতোহো নাচন্ত॥
হৰি বুদ্ধি হোৱে আপোনাত।
কতো কৰে কৃষ্ণৰ চেষ্টাক॥
আনন্দে লোতক যায় বহি।
নমাতি থাকন্ত কতো ৰহি॥
হৰিষতে তনু ৰোমাঞ্চিত।
কৃষ্ণত অপিল প্ৰাণ-চিত॥
এহিমতে কৰন্ত ভকতি।
আন বিষয়ত নাহি ৰতি॥" (কীৰ্ত্তন)

বলিযেও এনে ভক্তি কৰিছিল:—

সদায় কৃষ্ণৰ নাম নুগুচে মুখত।
ভৈলন্ত বিমুখ বলি বিষয় সুখত॥
উঠি কতো কীৰ্ত্তন কৰন্ত তাল ধৰি।
দৈত্যগণে বেঢ়ি বাৰে চৌপাশে চাপৰি॥
প্ৰহলাদে শিখান্ত গাৱে গোবিন্দৰ গীত।
পৰম আনন্দে দৈত্যপতি কৰে নৃত্য॥
গোবিন্দক দেখিয়া আনন্দে দ্ৰৱে চিত্ত।
হৰিষে লোতক ঝৰে তনু লোমাঞ্চিত॥
হোন্ত নিশব্দ গদ গদ কৰে মাত।
প্ৰেম ভাৱ উপজি পৰন্ত চাত চাত॥
ভকতৰ বশ্য হৰি আকলিয়া বলি।
কতো অতি হৰিষে হাসন্ত খলখলি॥
কতো হুকহুকি কৰি কৰন্ত ক্ৰন্দন।
কতো গীত গান্ত বিৰোচনৰ নন্দন॥
উঠি উঠি পৰন্ত নাচন্ত বাউল যেন।
কতো হৰি বুলি গেৰিয়ান্ত ইন্দ্ৰসেন॥
কতো মৌন হয়া পৃথিৱীত পৰি থাকে।
কৰয় কীৰ্ত্তন তাক বেঢ়ি দৈত্যজাকে॥"

(কীৰ্ত্তন)

এনেকুৱা হোৱাটো আচৰিত নহয়। ভগৱন্তৰ নাম হৃষীকেশ। হৃষীকেশ মানে ইন্দ্ৰিয়ৰ ঈশ্বৰ। হৃষীক-ঈশ।

"ইন্দ্ৰিয় বৰ্গত যিহেতু ঈশ্বৰ
আছন্ত হয়া প্ৰবেশ।
এতেকে মহন্ত সকলে বোলয়
ঈশ্বৰক হৃষীকেশ॥" —(ঘোষা)

এই নিমিত্তে ভক্তই সকলোৰোৰ ইন্দ্ৰিয়ক ঈশ্বৰৰ সেৱাত নিযুক্ত কৰে। তেহে ভক্তৰ ইন্দ্ৰিয়ই পূৰ্ণ পৰিতৃপ্তি লাভ কৰে। এই বাবেই কীৰ্ত্তনত লেখিছে—

"নকৰিলোঁ শিৰে মাধৱক নমস্কাৰ।
ইটো মথাগোট মোৰ ভৈল মহাভাৰ।'
কৰ্ণ দুই আছে শুনিলোঁ হৰি কথা।
দুগোটা গৰ্ত্তৰ ভাৱ ৰহিলোঁহো বৃথা।।
জিহ্বা মোৰ আছন্তে নলৈলোঁ ৰাম নাম।
দাদুৰীৰ জিহ্বা যেন ভৈল কোন কাম।।
নেদেখিলোঁ নয়নে প্ৰভুৰ যেন ৰূপ।
সম্যক জানিলোঁ দুয়ো আখি অন্ধকূপ।।
যেন চিত্ৰ বিচিত্ৰ মৈৰাৰ ভাসে পাখি।
হৰি ৰূপ নেদেখিলোঁ পাইলোঁ তেন আখি।।
হৰিপদ তুলসীৰ নলৈলোঁহো ঘ্ৰাণ।
জীৱন্তে মৰিলোঁ নাসা ভাটিৰু সমান।।
পিন্ধিলোঁহো বহুত অনেক অলঙ্কাৰ।
প্ৰভুৰ পূজাক নকৰিলোঁ একবাৰ।।
কৃষ্ণকৃত্য নকৰিলোঁ ভৈলোঁহো বৰ্ব্বৰ।
ইটো হস্ত-বাহু মিছা মৃতক শৰৰ।।
পাৱ দুই আছন্তে নগৈলোঁ ক্ষেত্ৰ স্থান।
মোৰ পাৱ ভৈল বৃক্ষ শিপাৰ সমান।।"

কৃষ্ণাৱতাৰৰ লীলাত তাৰ ঈশ্বৰৰ ঐশ্বৰ্য্য মাধুৰ্য্যাদি গুণৰ অপূৰ্ব্ব সমন্বয় এই লীলাত তেওঁ অৰ্জ্জুনৰ সখি, গোপীৰ বল্লভ, নন্দ-যশোদাৰ স্নেহৰ পুত্ৰ, বিদুৰ, উদ্ধৱ, অক্ৰুৰৰ গুৰু, সখা আৰু সেৱাৰ বস্তু, সুবল শ্ৰীদামৰ ধেমালিৰ লগৰীয়া, অৰ্জ্জুনৰ ৰথৰ সাৰথি, যুধিষ্ঠিৰৰ দূত, গীতাৰ মহাধৰ্ম্ম ব্যাখ্যাতা পাচাশালিৰ সহপাঠী বিপ্ৰদামোদৰৰ বন্ধু, শিক্ষাগুৰু সন্দিপাণিৰ ছাত্ৰ দ্বাৰকাত গৃহস্থ, দ্ৰৌপদীৰৰ সহায়, শিশুপাল কংস, দন্তবক্ৰাদিৰ অন্তক, ভক্তৰ ভক্ত-ৱৎসল প্ৰভু, করুণাময় স্বামী, প্ৰীতিময় সখা। আমাৰ বৰ সৌভাগ্য যে আমি ভাৰতবৰ্ষত জন্ম ধৰি শ্ৰীকৃষ্ণক ভজি জন্মৰ সাৰ্থক কৰিবলৈ অধিকাৰী হৈছো। শ্ৰীকৃষ্ণ ভাৰতৰ আত্মা।

হে কৃষ্ণ!!—

ধন্য ধন্য কলি কাল, ধন্য নৰতনু তাল,
ধন্য ধন্য ভাৰতবৰিষে।
তপ, জপ, যজ্ঞ ত্যাজি তোমাৰ চৰণ ভজি,
তুয়া নাম সুমিৰি হৰিষে।

সকলো ধৰ্ম্মতে প্ৰাৰ্থনাৰ মহোপকাৰিতা স্বীকৃত হৈছে আৰু বাস্তৱিকতে ঈশ্বৰৰ ওচৰত কায়মনো-বাক্যে কাতৰ প্ৰাৰ্থনাই সকলো ধৰ্ম্মৰ প্ৰাণ। দুৰ্ব্বল মানুহৰ হৃদয়ত প্ৰাৰ্থনাই বল দিয়ে। প্ৰাৰ্থনাই শান্তিশূণ্য প্ৰাণত শান্তি-বাৰি সিঁচি তাক শীতল কৰে। অতীজৰে পৰা মানুহৰ ইয়েই ভৱ-সংসাৰত প্ৰধান অৱলম্বন। সেই বাবে চাৰিবেদৰ ভিতৰত প্ৰাৰ্থনাত্মক সামবেদ শ্ৰেষ্ঠ। সামগান প্ৰাৰ্থকৰ শান্তিৰ নিজৰা। অল্ডটেষ্টেমেণ্টৰ সাম ভাগ (Psalm) সামও এয়েই। ঈশ্বৰৰ অবিশ্বাসীজনেও, এনে একোটা সময়ত উপস্থিত হয় যে জ্ঞানতেই বা অজ্ঞানতেই প্ৰাৰ্থনাৰ আশ্ৰয় নোলোৱাকৈ থাকিব নোৱাৰে—তেহেলৈ অস্বীকাৰকে কৰক। অবিশ্বাসী কুতৰ্কীয়ে হেজাৰ কুতৰ্ক কৰি মনুষ্যৰ এই মহা অৱলম্বনৰ সূত্ৰডাল ছেদ কৰিবলৈ যাওক, তেওঁৰ জীৱনতো এনে সময় আহে যেতিয়া তেওঁ ইচ্ছা কৰিয়েই হওক বা অনি-চ্ছাতেই হওক, এই সূত্ৰডালৰ কালে হাত বঢ়াব লগীয়াত পৰে। এতেকে ভৱ-ৰোগৰ মহৌষধ এই প্ৰাৰ্থনাৰ আশ্ৰয় নিয়মিতৰূপে দিনৌ সকলোৱে লোৱা আৱশ্যক। তেতিয়া তেওঁলোকে দেখিব, কি বিমল সুখ আৰু অপূৰ্ব্ব শান্তি তেওঁলোকৰ মনলৈ আহিব। মহাপুৰুষ মাধৱদেৱে সংসাৰ-সন্তাপিতৰ নিমিত্তে সুললিত ভাষাৰে এটি মহান প্ৰাৰ্থনা তেওঁৰ ঘোষা শাস্ত্ৰত দিছে। সকলো অসমীয়াই দিনৌ এই প্ৰাৰ্থনাটিৰে ঈশ্বৰোপাসনা কৰা উচিত। প্ৰাৰ্থনাটি আমি তলত তুলি দিলো।

"তুমি চিত্তবৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত।
চৰণ ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
কৰা দয়া মোক ভগৱন্ত।।
তুমি মোৰ অন্তৰ্য্যামী তযু ভৃত্য ভৈলোঁ আমি
জানি কৃপা কৰা হৃষীকেশ।
দন্তে তৃণ তুলি লওঁ বিনতে সেৱাতে ৰওঁ
দিয়া মোক সেহি উপদেশ।।
তুমি ভক্ত কল্পতৰু বাহিৰে ভিতৰে গুৰু
তুমি বিনে নাহি মোৰ আৰ।
কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক সেৱা ৰস সাৰ।।
তুমি হৰি কৃপাময় বাহিৰত গুৰুৰূপে
অনুগ্ৰহ কৰি আছা মোক।
অন্তৰ্য্যামী গুৰুৰূপে তাকে সত্য কৰা মোক
তযু নামে সদা ৰতি হোক।।
হে কৃষ্ণ হে বাসুদেৱ দৈৱকীনন্দন হৰি
নমো নন্দ গোপৰ কুমাৰ।
কৃপাময় শ্ৰীগোবিন্দ তযু পদ অৰবিন্দ
কৰো মই লক্ষ নমস্কাৰ।।
পদ্ম সম নাভি যাৰ প্ৰণামোহোঁ বাৰম্বাৰ
নমো দিব্য পদ্মমালাধাৰী।
নমো পদ্মসম নেত্ৰ পদ্ম যাৰ শতপত্ৰ
নমো ভকতৰ ভয়হাৰী।।
বসুদেৱ সুত কৃষ্ণ তুমি ভকতৰ ইষ্ট
কংস চানুৰাদি বিমৰ্দ্দন।
দৈৱকী হৃদয়ানন্দ জগতৰ গুৰু কৃষ্ণ
তযু পাৱে কৰোহোঁ বন্দন।।
মোৰ সম পাপীলোক নাহিকে ই ত্ৰিনিলোক
তুমি সম নাহি পাপহাৰী।

ইজানি গোবিন্দ মোক যেন জুৰাই কৰিয়োক
তুৱা পদে কৰোহোঁ গোহাৰি ॥
সহস্ৰ সহস্ৰ অতি অপৰাধ দিনে ৰাতি
কৰো মই মহা মূঢ়জন ।
মই প্ৰভু তুয়ু দাস আকে জানি জগবাস
ক্ষমিয়োক শ্ৰীমধুসূদন ॥
ধৰ্ম্মক জানোহো মই তথাপি প্ৰবৃত্তি নাই
অধৰ্ম্মত নিবৃত্তি নহয় ।
হৃদি স্থিত হয়া তুমি যেনে কৰোৱাহা স্বামী
হৃষীকেশ কৰোহোঁ তেনয় ॥
নজানোহো আবাহন নাজানোহো বিসৰ্জ্জন
পূজামন্ত্ৰ নজানো কিঞ্চিৎ ।
এতেকে পৰমেশ্বৰ দাস ভৈলোঁ চৰণৰ
মোৰ গতি সাধিবে উচিত ॥"

সকলোৰে যাতে সুঁৱৰি ৰাখি দিনৌ এই প্ৰাৰ্থনাটি কৰে সেই অভিপ্ৰায়েৰে আমি গোটেইটো ওপৰত তুলি দিলোঁ ।

প্ৰাণী মাত্ৰকেই সুখ বিচাৰে । প্ৰাণী-শ্ৰেষ্ঠ মানুহৰো সুখ বিচৰাটোৱেই স্বভাৱ । মানুহে কোনোমতেই মৃত্যুৰ আকাঙ্ক্ষা নকৰে । মৃত্যু মানে প্ৰাণ হেৰুৱা । প্ৰাণ মানে আত্মা, আত্মাক মানুহে হেৰুৱাব নোখোজে । ইয়াৰ কাৰণ কি ? কাৰণ আত্মা সুখস্বৰূপ । সকলো প্ৰাণীতে এই আত্মা বৰ্ত্তমান । আনকি পশু-পক্ষীতো এই আত্মা বৰ্ত্তমান থাকি সেইবোৰক আত্ম-প্ৰিয় কৰি তুলিছে । পৰক আমি ভাল পাওঁ কিয় ? নিশ্চয় পৰত এনে এটা বস্তু আছে ; যিটো আমাৰ ভিতৰত থকা বস্তুটোৰ চিনা । সেই বস্তুটোৱেই হৈছে আত্মা । আত্মা মানেই বিষ্ণু । বিষ্ণুৱেই সকলোৰে হৃদয়ত প্ৰবেশ কৰি সকলোকে পৰস্পৰৰ প্ৰতি আকৃষ্ট কৰি ৰাখিছে ।

"আত্মাৰূপে জানা ইটো জগতত
আছন্ত হয়া প্ৰবেশ ।
এহি হেতুতেসে ঈশ্বৰক বিষ্ণু
বোলয় নাম বিশেষ ॥" —(ঘোষা)

* *

"কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মা ৰাম ।" (কীৰ্ত্তন)

আন বস্তুত বা মানুহত যে আমাৰ মৰম লোগায়, তাক নিজৰ যেন লাগে, তাৰ কাৰণ তাৰ ভিতৰতো আত্মা, (যি আমাৰ ভিতৰতো আছে) আছে । সেই আত্মাই পৰম সুখৰ আকৰ, আনন্দস্বৰূপ ব্ৰহ্ম, যি সকলো বস্তুতে সকলো প্ৰাণীতে অনুপ্ৰবিষ্ট হৈ আছে ; সেইবাবেই সেইবোৰ বস্তু আৰু সেইবোৰ প্ৰাণী আমাৰ আত্মীয় অৰ্থাৎ প্ৰেমৰ পাত্ৰ । বৃহদাৰণ্যক উপনিষদত এই কথাকে এইদৰে বহলাই কৈছে—

"স হোবাচ ন ৱা অৰে পত্যুঃ কামায় পতিঃ প্ৰিয়ো ভবত্যাত্মনস্তু কামায় পতি প্ৰিয়ো ভৱতি ।" ইত্যাদি ।

অৰ্থাৎ পতিৰ কামনাত পতি প্ৰিয় নহয় । আত্মাৰ কামনাতেই পতি প্ৰিয় হয় । জায়াৰ কামনাত জায়া প্ৰিয় নহয় । আত্মাৰ কামনাতে জায়া প্ৰিয় হয় । পুত্ৰৰ কামনাত পুত্ৰ প্ৰিয় নহয় । আত্মাৰ কামনাতহে পুত্ৰ প্ৰিয় হয় । বিত্তৰ কামনাত বিত্ত প্ৰিয় নহয় । আত্মাৰ কামনাতহে বিত্ত প্ৰিয় হয় । ইত্যাদি ।

এতেকে আত্মাহে দ্ৰষ্টব্য, শ্ৰোতব্য, মন্তব্য, ধাতব্য । আত্মাক দৰ্শন, শ্ৰবণ, মনন, ধ্যান কৰিলে সকলো বিদিত হয় ।

"হৰিসে সবাৰো আত্মা বান্ধৱ ঈশ্বৰ ।"
"সবাৰো হৃদয়ে বিষ্ণু আছন্ত সাক্ষাত ।"
হেন জানি অসুৰ স্বভাৱ সবে এৰি ।
সমস্ত প্ৰাণীক পূজা বিষ্ণু বুদ্ধি কৰি ॥"
"সমস্ত ভূততে দেখিবেক নাৰায়ণ ।"
—কীৰ্ত্তন

ঈশ্বৰৰ "সৰ্ব্বানন্দ" নামৰ অৰ্থয় দিওঁতে মোৰাত মহাপুৰুষ মাধৱদেৱে এই কথাকে কৈছে—

"যিহেতু কৃষ্ণসে আত্মা এতেকেসে জীৱৰাশি
নিৰন্তৰে আনন্দ লভয় ।
এহিহেতু সৰ্ব্বানন্দ নাম ধৰি আছা হৰি
মহাজনে জানিবা নিশ্চয় ॥"

(বাঁহী : ১৩ শ বছৰ, ৬ষ্ঠ—১১ শ সংখ্যা ১৮৪৫ শক)

শ্ৰীকৃষ্ণ-কথা

(২)

শ্ৰীমদ্ভাগৱত মহাশাস্ত্ৰ । ই পুৰাণৰ সূৰ্য্য । "পুৰাণৰো সূৰ্য্য ইটো মহাভাগৱত ।" সূৰ্য্য উদয় নোহোৱালৈকে চন্দ্ৰ, তৰা, গ্ৰহ, নক্ষত্ৰৰ পোহৰ থাকে, সূৰ্য্য ওলালেই সেইবোৰ ম্লান হৈ যায় ।

"ভাৰত পুৰাণ আদি যত প্ৰকাশ কৰয় নানামত
যত মহাজন সবৰ সভা মধ্যত।
পৰম আনন্দ ৰসময় কোটী সূৰ্য্য সম প্ৰকাশয়
মহাভাগৱত নোহন্তে যাৰে বেকত॥" —ঘোষা

ই বেদৰ সাৰ, বেদান্তৰ অনুপম ব্যাখ্যা অৰ্থাৎ বস্তুবাচক, ইন্দ্ৰিয়গ্ৰাহ্য, সংহত বস্তু, বিশেষ ব্যাখ্যা। ই বেদ-কল্পতৰুৰ সুস্বাদ ফল।

"নিগম কল্পতৰোৰ্গলিতং ফলং
শুকমুখাদমৃতদ্ৰৱসংযুতং।
পিবত ভাগৱতং ৰসমালয়ং
মুহুৰহো ৰসিকা ভুবি ভাবুকাঃ।

"সকল নিগম কল্পতৰু তাৰ ফল মহাভাগৱত
শুক মুখে আসি ভুমিত ভৈল বিদিত।
ৰসত চতুৰ যিটো জন কৃষ্ণৰ চৰণে দিয়া মন
পৰম সন্তোষে পীয়োক ফল অমৃত॥" —ঘোষা

এই কাৰণেই শুকে পৰীক্ষিতক কৈছিল—

"শুক নিগদতি পৰীক্ষিত যদি আমি নিৰ্গুণত স্থিত
তথাপি উত্তম শ্লোকৰ মহিমা গুণে।
কৰিলেক মোৰ বশ্য চিত্ত ভাগৱত গ্ৰন্থ বিপৰীত
পৰম আনন্দে পঢ়িলো মই আপুনে॥
তোমাত কহিবো সেহি শাস্ত্ৰ তুমি আক শুনিবাৰ পাত্ৰ
মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি।
ই শাস্ত্ৰত শ্ৰদ্ধা মাত্ৰকতে মুকুন্দৰ পাদ পঙ্কজত
অতি শীঘ্ৰে তাৰ হোৱে জানা সতী মতি॥" —ঘোষা

"সেহি কৃপাময় মোৰ বাক্যচয়
অলঙ্কৃত কৰন্তোক।
শৃঙ্গাৰাদি নানা ৰসে ৰাজ হৌক
আনন্দে লোকে শুনোক॥
যাৰ মুখপদ্ম মকৰন্দ মধু
হৰি-কথা ৰসময়।
ভকত ভ্ৰমৰে পৰম আদৰে
আনন্দে নিতে পিৱয়॥
হেন কৃপাময় গুৰু পিতৃ ব্যাস
নতি তান চৰণত।
তাহান কৃপাত পঢ়িলো সাক্ষাত
ইটো মহাভাগৱত॥"
(দ্বিতীয় স্কন্ধ, শঙ্কৰদেৱৰ পদ)

ব্যাসদেৱে ওঠৰখন পুৰাণ ৰচনা কৰি, বেদৰ বিভাগ কৰিলে :—

"ব্যাস নামে ভৈলা সত্যবতীৰ সন্ততি।
দেখিলাহা প্ৰজা ভৈল অতি অল্পমতি॥
কৰিলা অনেক শাখা চাৰিয়ো বেদৰ।
পুৰাণ ভাৰত শাস্ত্ৰ নিৰ্ম্মিলা বিস্তৰ॥" —কীৰ্ত্তন

ইমানবিলাক শাস্ত্ৰ কৰিও ব্যাসে বদৰিকাশ্ৰমত বহি মনত বৰ অশান্তি অনুভৱ কৰি আছে।

"উগুলথুগুল মনে নাহি সুখ শান্তি।
নপাওঁ উপায় একো মনে গুণিগাথি॥
ব্ৰহ্মজ্ঞান চিন্তন্ত মনত নাহি সুখ।
নজানন্ত মনত কিসক মিলে দুঃখ॥"

এনে সময়ত—

"সেহি বেলা তৈতে আসি মিলিলা নাৰদ।"

নাৰদে ব্যাসক সুধিলে—

"কিবা হেতু নাহিকে তোমাৰ চিত্ত শান্ত॥
মহা উচপিচ কিয় থিৰ নুহি চিত্ত।
মহন্তৰো মোহ ইটো কিনো বিপৰীত॥
চাৰিও বেদৰ কৰিলাহা শাখা ভেদ।
যাৰ যেন জাতি ধৰ্ম্ম দিলা পৰিচ্ছেদ॥
কৰিলাহা ভাৰত পুৰাণ অষ্টাদশ।
জগততে ব্যাপিলে তোমাৰ মহাযশ॥
ব্ৰহ্মকো সাক্ষাতকাৰ কৰা সমাধিত।
তথাপি তোমাৰ কেন অসন্তুষ্ট চিত॥"

নাৰদৰ এই প্ৰশ্ন শুনি ব্যাসে উত্তৰ দিলে—

হওঁ যদি আমি বেদ শাস্ত্ৰত পাৰ্গত।
কৰো নিতে ঈশ্বৰ অৰ্পণ কৰ্ম্ম যত॥
মহাজ্ঞান পূৰ্ণ আমি জগতে প্ৰখ্যাত।
হোৱে সমাধিত ব্ৰহ্ম আপুনি সাক্ষাত॥
তথাপি নুগুচে মোৰ মনে অসন্তোষ।
নাপাওঁ বিমৰষি কিবা কৰি আছোঁ দোষ॥

ব্যাসৰ এই কথাৰ সমিধান নাৰদে এই বুলি দিলে—

নাৰদ বদতি শুনা মহামুনি ব্যাস।
তুমিসে কৰিলা সবে জগতক নাশ॥
নিৰন্তৰে পশুৱ লৱাইলা তুমি প্ৰাণ।
নাহি মন্দ কৰ্ম্ম আৰ ইহাৰ সমান॥
আকস্মিতে লোকৰ কৰাইলা হিংসা ধৰ্ম্ম।
নুবুজিলা তুমিও বেদৰ তত্ত্ব মৰ্ম্ম॥
গৰিহিত কৰ্ম্মকো কহিলা ধৰ্ম্ম বুলি।
তোমাৰ বচনে লোক নাশিলা সমূলি॥

যদি জ্ঞানীগণে তাক কৰে নিবাৰণ।
আডৰ তাৰ বাক্যক নামানে একোজন॥
বোলে উপালম্ভ কৰি বচন খণ্ডিত।
ব্যাসতো অধিক ভৈল এহেন্তে পণ্ডিত॥
প্ৰকটি কহিলা তুমি আনসে ধৰ্ম্মক।
নকৈলা প্ৰখ্যাত কৰি কৃষ্ণ কীৰ্ত্তনক॥
সিজিল তোমাত ঋষি পৰম অন্যায়।
নাহি শুদ্ধ চিত্ত তৱ সেহি অভিপ্ৰায়॥

এতেকে—

মোৰ উপদেশে কৰা ভাগৱত শাস্ত্ৰ।
প্ৰচাৰক গোবিন্দৰ নাম-গুণ মাত্ৰ॥
শ্ৰৱণ কীৰ্ত্তন মাত্ৰে তাৰোক নিশেষ।
দূৰ হোক তোমাৰ মনৰ মহাক্লেশ॥

আৰু—যদি ভক্তি ন বিধ, তাৰ ভিতৰত
"শ্ৰৱণ কীৰ্ত্তন তাতে মহা শ্ৰেষ্ঠতৰ।"

আৰু "ভকতি বিহীন জ্ঞান কৰ্ম্ম সবে ব্যৰ্থ।
কহিলো স্বৰূপ বেদান্তৰ তত্ত্ব অৰ্থ॥"

আৰু যই—"উৰ্দ্ধবাহু কৰি হেৰা কৰোঁ অঙ্গীকাৰ।
অধম জাতিতো যদি জন্ম ভৈল তাৰ॥
জ্ঞানীতো কৰ্ম্মীতো কৰি তথাপি অধিক।
দেৱৰো বন্দিনী যিটো ভকতি ৰসিক॥"

ইত্যাদি উপদেশ দি বেতিয়া নাৰদ গুচি গ'ল,

ব্যাসে—"কৃষ্ণৰ মূৰ্ত্তিক পাছে কৰিলন্ত ধ্যান।
হৃদয়তে কৃষ্ণক দেখিলা বিদ্যমান॥
বাম পাশে মায়া, দক্ষিণত ভক্তি যাৰ।
দেখি ব্যাস ঋষিৰ ৰোমাঞ্চ ভৈল গাৱ॥
মায়ায়ে বান্ধন্ত ভক্তি মাতৃয়ে মেলন্ত।
দুহানো মধ্যস্থ ভাৱে আছা ভগৱন্ত॥
বন্ধৰ মোক্ষৰ হেতু দেখি ব্যাস ঋষি।
ভাগৱত শাস্ত্ৰ পাছে কৰিলা হৰিষি॥"

এনে ভাগৱত শাস্ত্ৰ। এনেখন
বৈকুণ্ঠৰ শাস্ত্ৰ আনি পৰম উৎসুকে।
সংসাৰিক কৰি কৃপা প্ৰচাৰিলা শুকে॥

এই ভাগৱত শাস্ত্ৰ ভক্তিপৰ শাস্ত্ৰ। যদিও ন বিধ ভক্তি ই প্ৰচাৰ কৰিছে, তথাপি তাৰ ভিতৰত শ্ৰৱণ কীৰ্ত্তন এই দুই ভক্তিক শ্ৰেষ্ঠ আসন দিছে।

"পূজা আদি যত ভক্তিৰ মধ্যত
শ্ৰৱণ কীৰ্ত্তন সাৰ॥" —২য় স্কন্ধ ভাগৱত

ঈশ্বৰৰ নাম-গুণ শ্ৰৱণ, আৰু ঈশ্বৰৰ নাম-গুণ কীৰ্ত্তন এই দুই ভক্তি অল্পপ্ৰাণ কলিৰ লোকৰ নিমিত্তে ভাগৱত প্ৰচাৰি কৰি জীৱৰ তৰণৰ উপায় কৰি দিলে। সেই দেখি আমাৰ শঙ্কৰদেৱে কৈছে—

"নালাগে দেৱ দ্বিজ ঋষি হৈবে।
নালাগে সমস্ত শাস্ত্ৰ জানিবে॥
মিছাতে মৰে আন কৰ্ম্ম কৰি।
হোৱন্ত ভকতিত তুষ্ট হৰি॥"
"কৰ্ম্ম তপ জ্ঞানে সাধে যি গতি।
দানে সন্ন্যাসে বা পাৱে সম্প্ৰতি॥
ভকতে সুখে বসি পাৱে তাক।
উদ্ধৱৰ আগে কৃষ্ণৰ বাক॥"

আৰু ঘৰত সুখেৰে বসি এই নাম-ধৰ্ম্ম বা শ্ৰৱণ কীৰ্ত্তন ভক্তি-ধৰ্ম্ম আচৰণ কৰি মুক্তি লাভ কৰিব পাৰি। সেইদেখি শুকদেৱে পৰীক্ষিতক কৈছিল—

আৰ যাইবে নালাগে নৃপতি তপোবনে।
গৃহে বসি গতি পাৱে শ্ৰৱণ-কীৰ্ত্তনে॥
"ইটো মহাভাগৱত শাস্ত্ৰ বৈকুণ্ঠৰ॥"
আত মহাধৰ্ম্ম এক নামেসে প্ৰখ্যাত।
শ্ৰৱণ মাত্ৰকে কৰে কৃষ্ণক সাক্ষাত॥
পূজা নমস্কাৰ ধ্যান সমস্তে দুষ্কৰ।
হৰি-গুণ নাম-ধৰ্ম্ম মহাসুখকৰ॥
স্ত্ৰী বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ।
চণ্ডালকো কৰে নাৰে তেখনে উদ্ধাৰ॥

পৰীক্ষিতক শুকদেৱে কৈছে—

সংসাৰ তাৰণ পথ আছে অসংখ্যাত।
অনেক বিঘিনি ব্যাপ্ত দুষ্কৰ সাক্ষাত॥
শ্ৰৱণ-কীৰ্ত্তন কৰি কৃষ্ণক আৰাধে।
মহামোক্ষ সাধে একো বিঘিনি নবাধে॥
যাত হস্তে হোৱে ৰতি কৃষ্ণৰ চৰণে।
নাহিকে সুগম আতপৰে ত্ৰিভুবনে॥

আকৌ তেওঁ কৈছে-

পূৰ্ব্বত ব্ৰহ্মাপে এক চিত্তে তিনিবাৰ।
বেদত বিচাৰি এহিমানে পাইল সাৰ॥
শ্ৰৱণ-কীৰ্ত্তন মাত্ৰ সুগম ভকতি।
অল্পতে উপজে গোবিন্দত প্ৰেম ৰতি॥

আৰু কৈছে—

"মোক্ষতো অধিক সুখ সপ্ৰেম ভকতি॥"

যোৱাত মাধৱদেৱে কৈছে—

চাৰিও বেদৰ চাৰি অক্ষৰ সাৰ কৰি আনি ব্ৰহ্মাদেৱে
বেকত কৰিয়া থৈলা নাৰায়ণ বাণী।
সেহি নাৰায়ণ নাম লৈয়া শুদ্ধ কৰো আমি চিত্ত কায়া
হৰি সন্তোষৰ কাৰণ আন নাজানি॥

এনে নাম-ধৰ্ম্ম জাতিবৰ্ণ নিৰ্ব্বিশেষে সকলোৰে মাজত মহাপুৰুষ শঙ্কৰদেৱে প্ৰচাৰ কৰিলে। ঈশ্বৰৰ নাম যি প্ৰচাৰ কৰে সি তৰেই আৰু যি শুনে সিয়ো তৰে।

নাম পঞ্চানন নাদে পলাৱত
পাপ দন্তী ভয়ভীত।
বুলিতে এক শুনিতে শত নিস্তৰে
নাম ধৰম বিপৰীত॥ —শঙ্কৰদেৱ

এনে উপকাৰী গুৰু আমাৰ শঙ্কৰদেৱ। এনেজন পুৰুষক অসমে বুকুত ধৰিবানে পাই অসম ধন্য হল। এই বাবেই মাধৱদেৱে কৈছিল—

"হৰি-ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ-সিন্ধু।
হেনয় কৃপালু শঙ্কৰ বিনাই
নাহি নাহি আন বন্ধু॥"

এতেকে ঈশ্বৰৰ নাম লোৱা, নাম লোৱা, নাম লোৱা। নামেই তোমাক এই ভব-বন্ধনৰ হাতৰ পৰা সকাহ দিব। নাৰদে কৈছে—

হৰি নামে নামে নামে নিশ্চয়।
মোহোৰ জীৱন নাৰদে কয়॥

সেইদেখি শ্ৰীশঙ্কৰদেৱে কৈছে—
নাৰদে দিলন্ত তিনি কত্তপা।
নামানিবে আৰু কোনেনো লপা॥
নাৰদৰ বাণী শিলাৰ ৰেখা।
বৃহন্নলাবলী বিচাৰি দেখা॥

এতেকে হে বন্ধুসকল! নাম লোৱা, নাম লোৱাঁ আৰু কোনো ভয় নাই।

"নাম লোৱা বাপুসকল নকৰিবা হেলা।
নামেসে ৰাখিবে মোৰ সঙ্কটৰ বেলা॥"

আন নালাগে এক দণ্ড মনটো স্থিৰ কৰি ঈশ্বৰত শৰণাপন্ন হৈ তেওঁৰ নাম ললে, মানুহ উদ্ধাৰ হয়। আমাৰ পৰমপিতা পৰমেশ্বৰ আমাৰ প্ৰতি এনে দয়াময়। শুকদেৱে পৰীক্ষিতক খটাঙ্গ ৰজাৰ উপাখ্যান কৈ কৈছিল—

"জানিবো জানিবা হৰিনামে মোক্ষ ফল।
নাহিকে নামত পৰে পৰম মঙ্গল॥
চাৰিয়ো বেদৰ সাৰ জানিবা নিশ্চয়।
জানি পৰীক্ষিত তুমি ত্যজিয়ো সংশয়॥
অল্পকালে সাধে সিদ্ধি কৃষ্ণৰ ভকতি।
দুই দণ্ডে পাইলা গতি খটাঙ্গ নৃপতি॥"

পূৰ্ব্বকালত খটাঙ্গ ৰজাই দানৱবোৰক জিনি স্বৰ্গত দেৱতাসকলক ৰক্ষা কৰি আছিল। দেৱতা-সকলে সন্তুষ্ট হৈ ৰজাক কলে—বৰ লোৱাঁ। ৰজাই কলে—তাৰ আগেয়ে মোক কোৱা মই আৰু কত দিন জীম। দেৱতাই উত্তৰ দিলে আৰু দুই দণ্ডহে তোমাৰ আয়ুস আছে। এই কথা শুনি খটাঙ্গই বিমানত উঠি লৰালৰিকৈ পৃথিৱী পালেহি, আৰু কৃষ্ণৰ অভয় পদত শৰণ লৈ মুহূৰ্ত্ততে পৰম গতি পালে।

এতেকে হে পৰীক্ষিত! "জীৱা তুমি সাতদিন চিন্তা কৰা কিয়?"

এই কাৰণেই শঙ্কৰাচাৰ্য্যই কৈছে—
ক্ষণমিহ সজ্জন সঙ্গতিৰেকা।
ভৱতি ভৱাৰ্ণৱ তৰণে নৌকা॥

মাধৱদেৱে তেওঁৰ ঘোষাত কৈছে,—
হে ভগৱন্ত গুৰু তযু পদে মন মোৰ
যি কালত স্থিতিক লভয়।
তোমাৰ কৃপাত তেবে সকল সাধন-শ্ৰম
এৰাই সুখী হইবোহো নিশ্চয়॥

যি ঈশ্বৰৰ নামগুণ নলৈ নুশুনি এই সংসাৰত খাই-বৈ মাথোন থাকি জীৱন কটায়, তাক শাস্ত্ৰত চাৰিটা পশুৰে সৈতে তুলনা কৰিছে :— কুকুৰ, শূকৰ, উট আৰু গাধ।—

যাৰ কৰ্ণপথক নগৈল দামোদৰ।
কুকুৰ সদৃশ সিটো নিৰ্গত পামৰ॥
বিষ্ঠা-মূত্ৰ ভুঞ্জে যেন অধম শূকৰে।
উটে যেন কণ্টক চোবাই আতি মৰে॥
যেন গাধে ব্যৰ্থ মাত্ৰ বহি মৰে ভাৰ।
এহি চাৰি গোট পশু পটন্তৰ তাৰ॥

ঈশ্বৰৰ কথাত যি কাণ নাপাতে, নাম নলয়, ভাগৱতত তাৰ বিষয়ে এইদৰে কৈছে—

"নপাতয় কাণ যিটো কৃষ্ণৰ কথাত।
ভৈল দুই কৰ্ণ তাৰ দুই ভিতি গাঁত॥
হৰি গুণ নাগাই কৰে আনসে ব্যাখ্যান।
জানা জিহ্বা ভৈল তাৰ বেঙৰ সমান॥
যাৰ শিৰে নকৰে কৃষ্ণক নমস্কাৰ।
কিৰীটি মুকুট মাথা ভাৰ ভৈল তাৰ॥
কৃষ্ণৰ নকৰে কৰ্ম্ম যিটো হস্ত দুই।
কঙ্কন সহিতে সিটো শৱ সম হুই॥
কৃষ্ণৰ মূৰ্ত্তিক যিটো নেদেখে অধম।
তাৰ চক্ষু সম্যকে মৈৰাৰ চকা সম॥
কৃষ্ণৰ স্থানক যিটো নকৰে গমন।
বৃক্ষ-শিলা সম তাৰ দুখানি চৰণ॥
ভকতৰ পদ-ৰেণু নলৱে শিৰত।
জীৱন্তেসে শৱ সিটো মৃতক সমান॥
কৃষ্ণপদ তুলসীৰ নলৈলেক ঘ্ৰাণ।
কাচন্ত নিশ্বাস সিটো ভাটিৰ সমান॥
হৰি হৰি বোলন্তে নুহিকা ৰোমাঞ্চিত।
বজ্ৰশিলা সদৃশ জানিবা তাৰ চিত॥"
—শঙ্কৰদেৱৰ পদ

শ্ৰীশঙ্কৰদেৱৰ ৰচিত কীৰ্ত্তনৰ অন্তৰ্গত কলিৰ প্ৰায় একেকুৰা পদকে তলত দিলোঁ।—

নকৰিলো শিৰে মাধৱক নমস্কাৰ।
ইটো মাথাগোট মোৰ ভৈল মহাভাৰ॥
কৰ্ণ দুই আছে, নুশুনিলো হৰি-কথা।
সংগাটা গৰ্ত্তৰ তাৰ ৰহিলোহো বৃথা॥

জিহ্বা মোৰ আছন্তে নলৈলো হৰিনাম।
দাদুৰীৰ জিহ্বা যেন ভৈল কোন কাম॥
নেদেখিলো নয়নে প্ৰভুৰ যেন ৰূপ।
সম্যক জানিলো দুয়ো আখি অন্ধকূপ॥
যেন চিত্ৰবিচিত্ৰ মৈৰাৰ ভাসে পাখি।
হৰিৰূপ নেদেখিলো পাইলো তেন আখি॥
হৰিপদ তুলসীৰ নলৈলোহো ঘ্ৰাণ।
জীৱন্তে মৰিলো নাসা ভাটিৰ সমান॥
পিন্ধিলোহো বহুত অনেক অলঙ্কাৰ।
প্ৰভুৰ পূজাক নকৰিলো একবাৰ॥
কৃষ্ণকৃত্য নকৰিলো ভৈলোহো বৰ্ব্বৰ।
ইটো হস্ত বাহু মিছা মৃতক শৰৰ॥
পাৱ দুই আছন্তে নগৈলো ক্ষেত্ৰ স্থান॥
মোৰ পাৱ ভৈল বৃক্ষ শিপাৰ সমান॥

মই আগৰ একে প্ৰবন্ধত কৈছোঁ, যে শ্ৰীমদ্ভাগৱত নিগূঢ় ভক্তিতত্বৰ শাস্ত্ৰ। ইয়াৰ অন্তৰ্গত পৰমাৰ্থ কথা, ওপৰে ওপৰে ভাৱত পঢ়ি কোৱাই বুজিব নোৱাৰে। সেইদেখি পঞ্চাধ্যায়ত বৰ্ণিত ৰাস-লীলাৰ কথা পঢ়ি পল্লৱগ্ৰাহীসকলে নানা কথা কয়। ব্যাসে নিজেই কৈছে যে ভাগৱত—

অহং বেদ শুকো বেদ বিদুৰো বেদ বানৰা।
ভক্ত্যা ভাগৱতং বেত্তি ন বিদ্যা ন চ টীকয়া॥

শঙ্কৰদেৱৰ পদ,—

পুৰাণৰ সূৰ্য্য ইটো মহাভাগৱত।
ব্যাস মহাঋষি আৰ কহিলা মহত্ত্ব॥
আৰ অন্তৰ্গত পৰমাৰ্থ কথা যত।
মই (ব্যাস) মাত্ৰ জানো নাৰদৰ প্ৰসাদত॥
মোত হন্তে মহামুনি শুকে জানিলন্ত।
বিদুৰে ইহাক জানন্ত কি নজানন্ত॥
টীকা-ভাষ্য চাই মহাবুদ্ধিৰ প্ৰভাৱে।
কেহোজনে আৰ তত্ত্ব অৰ্থক নপাৱে॥
বৈকুণ্ঠৰ শাস্ত্ৰ কৃষ্ণ মুখৰ বচন।
আৰ কি তত্ত্বক জানে যেই সেই জন॥
শুদ্ধভাৱে নৈলে যিটো কৃষ্ণত শৰণ।
ভকতিৰ প্ৰসাদে নিৰ্ম্মল ভৈল মন॥
সি সি মহাজনে আৰ তত্ত্বক জানয়।
ভাগৱত পুৰাণৰ কহিলোঁ নিৰ্ণয়॥

মন নিৰ্ম্মল কৰি কৃষ্ণত ভকতি কৰিবলৈ হলে মানুহে প্ৰথমতে সন্তৰ সঙ্গ লব লাগে। সাধুৰ সঙ্গত থাকি কৃষ্ণগুণ নাম শ্ৰৱণ কীৰ্ত্তন কৰি থাকিলে মন নিৰ্ম্মল হব, আৰু হৰিনামত ৰতি আৰু কৃষ্ণত প্ৰীতি জন্মিব। সেইলোকেহে ইন্দ্ৰিয়ক জিনি কৃতাৰ্থ হব পাৰিব :—

ইন্দ্ৰিয়ক জিনিবাৰ যাৰ আছে মতি।
সন্তত্তে কৰোক যত্নে সন্তৰ সঙ্গতি॥
শ্ৰৱণ-কীৰ্ত্তন মাত্ৰ কৰিবে কৃষ্ণৰ।
ইন্দ্ৰিয়ক জিনি হৈবে কৃতাৰ্থ সি নৰ॥

প্ৰহলাদেও দৈত্যশিশুসকলক উপদেশ দিওঁতে কৈছিল—

কৃষ্ণৰ চৰণে হৈবে নিৰন্তে ভকতি।
শুনা সাৱধানে তাক স্থিৰ কৰি মতি॥
বিষ্ণু-ভকতৰ সঙ্গ লৈব প্ৰথমত।
গুৰু মানি শুশ্ৰূষা কৰিব ভালমতে॥
লৈয়া উপদেশ মাধৱক আৰাধিব।
যতেক সুকৃতি মানে কৃষ্ণত অৰ্পিব॥
কৃষ্ণকথা শ্ৰৱণত শুদ্ধ হৈবে মন।
সৰ্ব্বদায়ে কৰিবেক কৃষ্ণৰ কীৰ্ত্তন॥
কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্তে ভূতত॥
হেন জানি প্ৰাণাধিক কৰিব সৎকাৰ।
তেবেসে কৃষ্ণত ৰতি হৈবেক তোমাৰ॥
হৰিৰ সেৱাত কিছু নাহিকে প্ৰয়াস।
আপুনি লৈৰয় হৰি হৃদয়ত বাস॥
আপুনি জীৱৰ সাক্ষী কৃষ্ণ কৃপাময়।
তাঙ্ক এৰি সামন্যাক সেৱে দুৰাশয়॥ —কীৰ্ত্তন

ইন্দ্ৰিয় অতি প্ৰবল ৰিপু। ইন্দ্ৰিয়ক জয় কৰা অত্যন্ত কঠিন কাৰ্য্য। সেইদেখি প্ৰহলাদৰ বাপেক দৈত্যেন্দ্ৰই যেতিয়া প্ৰহলাদক কৈছিল যে তেওঁ তিনিউলোকক জয় কৰিলে আৰু তেওঁৰ কটাক্ষত সুৰাসুৰ কঁপে, প্ৰহলাদে অতি নম্ৰভাৱে এই মহাসত্য বাপেকৰ কৰ্ণগোচৰ কৰিছিল :—

নিজিনি শৰীৰৰ শত্ৰুচয়।
জিনিলো দশোদিশ বুলি কয়॥
জানিয়া পিতৃ এৰা অহঙ্কাৰ।
ভজিয়োক হৰি কহিলো সাৰ॥ —কীৰ্ত্তন

শ্ৰীশঙ্কৰদেৱে কৈছে—

বিশ্বামিত্ৰ পৰাশৰ আদি মুনিগণ।
জল বায়ু পত্ৰ মাত্ৰ কৰন্ত ভক্ষণ॥
কামিনীজনৰ মুখপদ্ম সুললিত।
দেখি তাৰাসবো ভৈলা কামে বিমোহিত॥
দধি দুগ্ধ ঘৃত মিশ্ৰ কৰি শালি অন্ন।
প্ৰৱৰ্দ্ধিয়া যিটোজনে ভুঞ্জে প্ৰতিদিন॥
সিটোজনে পাৱে যদি ইন্দ্ৰিয় জিনিত।
পিৰিসমে পাৱে তেবে সাগৰ তৰিত॥

নানা সুখ ভোগৰ মাজত থাকি ধৰ্ম্মৰ পালিত নহি অসংখ্য শিষ্যৰ তৰণৰ হেতু হব খোজা মহন্ত সকলৰ দৃষ্টি ওপৰত দিয়া শ্ৰীশঙ্কৰদেৱৰ কথা কেইষাৰলৈ আকৰ্ষণ কৰিলোঁ।

এদিন ব্ৰহ্মাই চিত্ত স্থিৰ কৰি, যম নিয়ম আচৰি কৃষ্ণৰ চৰণ চিন্তি, প্ৰজাৰ কুশল কামনা কৰি শুদ্ধ স্থানত বহি আছে, এনেতে তেওঁৰ পুত্ৰ নাৰদ তাতে ওলালহি। নাৰদে ব্ৰহ্মাক সেৱা ভক্তি কৰি অতি বিনয়ভাৱে সুধিলে,—হে পিতৃ! মোক জ্ঞান দিয়া। এই জগতখন কোনে প্ৰকাশ কৰে, আৰু জগতে কাক আশ্ৰয় কৰি থাকে? কোনে সৃজে, কোনে পালে আৰু ই কাৰ অধীন? আৰু এটা কথা তোমাক সোধোঁ যে তোমাকেইহে মই ঈশ্বৰ বুলি জানো, কিন্তু তুমি আকৌ কাক তপস্যা কৰা, কোন তোমাৰ জ্ঞানদাতা আৰু কোন তোমাৰ সেব্য? তোমাতকৈ কোন শ্ৰেষ্ঠ আছে তোমাৰ তপস্যা দেখি মোৰ মনত এইবোৰ সংশয় হৈছে। নাৰদৰ প্ৰশ্ন শুনি ব্ৰহ্মাই দয়া কৰি কলে,—নাৰদ! তুমি যে মোকেইহে ঈশ্বৰ বুলি মানা এইটোও যে ভুল এনে নহয়; কাৰণ ঈশ্বৰৰ গুণ আৰু কাৰ্য্য মোৰ গাতো আছে কিন্তু ঈশ্বৰৰ পাদপদ্ম আশ্ৰয় কৰি, সেৱা কৰিহে মই এই গুণ লাভ কৰিছোঁ। আচলতে মোৰ ঈশ্বৰ কৃষ্ণদেৱহে আৰু তেওঁহে মোৰ ইষ্টদেৱতা। কৃষ্ণৰ বাহিৰে এই জগতত কোনো সেব্য নাই। তেওঁতেহে এই সমস্ত জগত প্ৰকাশিত হৈ আছে। তোমালোকে মায়াত মুগ্ধ হৈহে মোকেই ঈশ্বৰ আৰু জগৎগুৰু বুলি মানিছা। এই বিশ্বব্ৰহ্মাণ্ড গোটেইখন কৃষ্ণময়। চাৰি বেদ চৌধ্য-শাস্ত্ৰই কৃষ্ণকেহে কয়। গোটেইখন জগৎ কৃষ্ণৰ অংশ বিশেষ। জ্ঞানীসকলে জ্ঞান পথেৰে কৃষ্ণকেহে সেৱা কৰে। সেই কৃষ্ণইহে মোৰো সেব্য। তেওঁৱেই লীলা কৰি পূৰ্ব্বে প্ৰকৃতিক সৃজন কৰিলে আৰু মায়া গুণৰ দ্বাৰাই এই ব্ৰহ্মাণ্ড কৰিলে। তাৰ ভিতৰতে তেওঁৰ বিৰাট শৰীৰ আৰু সত্যলোককে আদি কৰি উৰ্দ্ধত সপ্তলোক, আৰু অধত, অতল, বিতলকে আদি কৰি সাত লোক। চাৰি বৰ্ণ ৰ উৎপত্তি কৃষ্ণৰ দেহৰ পৰাই। মায়াৰ দ্বাৰাই ৰচিত এই ব্ৰহ্মাণ্ডবিনাশী। কৃষ্ণৰ স্থান বৈকুণ্ঠত ব্ৰহ্মাণ্ডৰ বাজত আৰু সি অবিনাশী। ভক্তৰ নিমিত্তে সেই স্থান বিৰচিত। জ্ঞান, কৰ্ম্ম, যোগ, যাগ, তপস্যা, আচৰণকাৰীসকল সেই স্থানলৈ যাব নোৱাৰে। কিন্তু বৈষ্ণৱ ভক্তই শ্ৰৱণ কীৰ্ত্তন কৰি অনায়াসে সেই স্থানলৈ যায়। এইবুলি ব্ৰহ্মাই বেদৰ মন্ত্ৰবোৰ উদ্ধৃত কৰি তাৰ ভাবাৰ্থ নাৰদক বুজাই দিলে। ব্ৰহ্মাৰ কথা শুনি নাৰদে আকৌ সুধিলে,—হে পিতৃ! যদি সকলো কৃষ্ণময়, তেন্তে কি বস্তুৰে তুমি তেওঁক পূজা কৰা? কাৰণ বস্তুবোৰো যে কৃষ্ণময়। আৰু যদি গোবিন্দৰ লীলা-চৰিত্ৰৰ অন্তকে কোনেও নাপায়, তেন্তে অজ্ঞানীজনে এই সংসাৰৰ নিকাৰ কেনেকৈ তৰিব? এই প্ৰশ্নৰ উত্তৰত ব্ৰহ্মাই কলে, যদিও সকলো বস্তু কৃষ্ণময়, তথাপি সেই বস্তুৰেই ভক্তিগদগদ চিত্তে মই কৃষ্ণক পূজা কৰোঁ। তাতেই কৃপালু ভগৱন্ত তুষ্ট হয়। ভক্তিয়েই আচল বস্তু। কৃষ্ণৰ কৃপাত সকলো সুখী হয়। যদি সাধু সঙ্গ লৈ, কপট এৰি কৃষ্ণত মানুহে শৰণ লৈ ভক্তি কৰে তেনে মানুহৰ মায়া দূৰ হয়। মহোদয় মিলে, আৰু সুখেৰে সি সংসাৰ তৰি যায়, মায়া গুচিলে নিজৰ দেহত অভিমান গুচে। ভাৰ্য্যা-পুত্ৰ ধন বস্তুক আৰু তেওঁ মোৰ নোবোলে। এই উপায়েৰে অনেকে মায়াৰ হাত সাৰি ভৱসংসাৰ তৰি গৈছে। যেনে প্ৰহলাদ, চাৰিসিদ্ধ, শতৰূপা, আকুতী, প্ৰসূতি, দেৱহুতী, স্বায়ম্ভুৱ মনু, প্ৰিয়ব্ৰত ৰজা, উত্তানপাদ, প্ৰাচীণবৰ্হি, ঋষভ, ধ্ৰুৱ, ইক্ষ্বাকু, সগৰ, গাধি, মুচুকুন্দ, ৰঘু, গয়, খটাঙ্গ, ভৰত, অম্বৰীষ, পুৰুৰবা, মান্ধাতা, যযাতি, অলৰ্ক, সৰ্য্যাতি, শতধনু, ৰন্তিদেৱ, ভীষ্ম, বলি, দিলীপ, সৌভৰি, উত্তঙ্গ, বশিষ্ঠ, শুক, গালৱ, মৈত্ৰেয়, অগস্তি, পৰাশৰ, গৌতম, ভৃগু, উদ্ধৱ, ভীম, হনুমান, জাম্বুবান, বিভীষণ, অৰ্জ্জুন, বিদুৰ, দ্ৰুপদ, অক্ৰূৰ, শ্ৰুতদেৱ, উগ্ৰসেন ইত্যাদি।

যি শ্ৰৱণ-কীৰ্ত্তন ভক্তিৰ আশ্ৰয় লয়, অতি অল্প কালৰ ভিতৰতে ভক্তবৎসল ভগৱন্ত তাৰ হৃদয়ত প্ৰকাশিত হয়।

ঘোষাত কৈছে—

"একান্ত ভকত সবে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিযা যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগাৱো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত॥'

ঈশ্বৰে ভক্তৰ হৃদয়ত বাস কৰি তাৰ সকলো কলুষ হৰণ কৰি তাক অতি নিৰ্ম্মল কৰি পেলায়।

"ভক্তৰ হিযাত থাকিয়া সাক্ষাত
হৰন্ত সমস্তে মল।
যেন জলচয় শৰতে কৰয়
নিৰ্ম্মল অতি উজ্বল॥" —শঙ্কৰদেৱ

কৰ্ণপথে ভকতৰ হিযাত প্ৰবেশি হৰি
দুৰ্ব্বাসনা হৰে সমস্তয়।
জলৰ যতেক মল সেহেন শৰত কালে
স্বভাৱতে নিৰ্ম্মল কৰয়॥" —মাধৱদেৱ

ভকতে মন শুদ্ধ কৰি কৃষ্ণৰ পাদপদ্ম আশ্ৰয় কৰিলে আৰু কেতিয়াও তাক পৰিত্যাগ কৰি নাযায়।

"কৃষ্ণ সেৱা ধৰি মন শুদ্ধ কৰি
নেৰে কৃষ্ণপদ আৰ।
যেন পৰবাসী বৈল গৃহে আসি
এড়ায়া দুঃখ নিকাৰ॥' —শঙ্কৰদেৱ

(বাঁহী : ১৯ শ বছৰ, ৬ষ্ঠ-৭ম সংখ্যা— ১৮৫২ শক)

নতুন প্ৰকাশ
বেজবৰুৱা শতবাৰ্ষিকী উপলক্ষে
১৯৬৮ চন

সঙ্কলন আৰু সম্পাদনা :
অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা

চৈতন্যদেৱ

চৈতন্যদেৱ

১৫৩৮ শকত কৃষ্ণ দাস নামে এজন বৈষ্ণৱে বৃন্দাবন দাস, মুৰাৰি আৰু দামোদৰৰ গ্ৰন্থৰ পৰা সাৰ সংগ্ৰহ কৰি 'চৈতন্য চৰিতামৃত' নাম দি এখন প্ৰসিদ্ধ গ্ৰন্থ ৰচনা কৰে। এই গ্ৰন্থত চৈতন্য আৰু তেওঁৰ প্ৰধান প্ৰধান শিষ্যৰ চৰিত্ৰ আৰু সেই সম্প্ৰদায়ৰ মতৰ অনেক বিবৰণ দিয়া হৈছে। কিতাপখন বঙলা ভাষাত লেখা। তাত মাজে মাজে ভাগৱত, গীতা, বিষ্ণুপুৰাণ আৰু ব্ৰহ্মসংহিতা প্ৰভৃতি অনেক গ্ৰন্থৰ অনেক শ্লোক তুলি দিয়া হৈছে। এইখনকে চাই আমি চৈতন্যৰ বিষয়ে সংক্ষেপকৈ কম।

চৈতন্যৰ বাপেকৰ নাম জগন্নাথ মিশ্ৰ আৰু মাকৰ নাম শচী। জগন্নাথে শ্ৰীহট্টৰ পৰা আহি নবদ্বীপত নিবাস কৰেহি। নবদ্বীপত চৈতন্যৰ জন্ম হয়। চৈতন্য মাকৰ গৰ্ভত হেনো তেৰমাহ আছিল আৰু ১৪০৭ শকত ফাগুনত ভূমিষ্ঠ হয়। তেওঁৰ জন্মৰ সময়ত চন্দ্ৰগ্ৰহণ আৰু আন আন অলৌকিক ঘটনা হৈছিল বুলি লেখা আছে। তেওঁৰ ১১ বছৰ বয়সত বাপেক মৰে আৰু মাকৰ বয়স তেতিয়া ৫২ বছৰ। ককাযেক বিশ্বৰূপে তাৰ আগতে সন্ন্যাস লয়। সেই সময়ত গৌৰাঙ্গ ছবছৰীয়া। ষোল বছৰ বয়সত চৈতন্য টোলৰ পণ্ডিত আৰু সেই বয়সতে তেওঁ লক্ষ্মীক বিয়া কৰায়। লক্ষ্মীক সাপে খুটি মাৰে। তাৰ পিছত তেওঁ বিষ্ণুপ্ৰিয়াক বিয়া কৰায়। ১৮ বছৰ বয়সত তেওঁ পূৰ্ববঙ্গৰ অনেক ঠাইত পঁচা তুলি ফুৰি অনেক বয়-বস্ত্ৰ পায়। ২৩ বছৰ বয়সত তেওঁ তীৰ্থ কৰিবলৈ গয়ালৈ যায় আৰু তাতে মাধবেন্দ্ৰ পুৰী সন্ন্যাসীৰ শিষ্য ঈশ্বৰ-পুৰীৰ পৰা মন্ত্ৰ লয়। ইয়াৰ পিছত তেওঁৰ মনৰ ঘোৰ পৰিবৰ্ত্তন ঘটিল। উভতি আহি তেওঁ টোল ভাঙি দি সদায় কৃষ্ণ-চিন্তাত নিমগন হল। ২৪ বছৰ বয়সত তেওঁ কটোৱাৰ কেশৱ ভাৰতীৰ পৰা সন্ন্যাস গ্ৰহণ কৰে। ইয়াৰ পিছত ছবছৰ তেওঁ নানা তীৰ্থঠাইত ফুৰি পুৰীত একেৰাহে ১৮ বছৰ থাকি, তাতে অন্তৰ্হিত হয়। মুঠতে তেওঁ ৪৮ বছৰ জীয়াই আছিল আৰু ১৪৫৫ শকত তেওঁৰ তিৰোভাৱ হয়।

এই সম্প্ৰদায়ৰ মতে অদ্বৈত আৰু নিত্যানন্দ দুয়ো বিষ্ণুৰ অংশাৱতাৰ। কৃষ্ণাৱতাৰত যি বলোভদ্ৰ, চৈতন্যাৱতাৰত তেৱেঁই নিত্যানন্দ। অদ্বৈতৰ ঘৰ শান্তিপুৰত। এই তিনিজনেই তিনি প্ৰভুৰ একোজন প্ৰভু। অদ্বৈত আৰু নিত্যানন্দৰ সন্তান-সকল এই সম্প্ৰদায়ৰ প্ৰধান গোস্বামী। নিত্যানন্দ নবদ্বীপৰ এজন ৰাঢ়ীয় ব্ৰাহ্মণ। তেওঁ বিষয়ী আৰু সংসাৰ-সুখত আসক্ত আছিল। কৃষ্ণদাসে তেওঁৰ কিতাপত লেখিছে, এদিন নিত্যানন্দই আন আন ভক্তসকলেৰে সৈতে নানা বিধ অন্ন-ব্যঞ্জন ভোজন কৰিছিল। সেই ভোজ্যৰ ভিতৰত পুলীন নামেৰে এবিধ বস্তু আছিল। ৰঘুনাথ দাসে এই বিষয়ে পৰিহাস বাক্য বুলিলত নিত্যানন্দই উত্তৰ দিলে—

"গোপ জাতি আমি বহু গোপ সঙ্গে।
আমি সুখ পাই এ পুলীন ভোজন ৰঙ্গে।।"

তেওঁৰেই বচন বুলি প্ৰচলিত তলত দিয়া কথাষাৰ—

"মৎসের ঝোল কামিনীৰ কোল।
আনন্দে তোৰা সবে হৰি হৰি বোল।।"

চৈতন্য সম্প্ৰদায়ৰ বৈষ্ণৱে চৈতন্য, অদ্বৈত, নিত্যানন্দ এই তিনি প্ৰভুৰ বাহিৰেও ৰূপ সনাতনকে প্ৰমুখ্য কৰি ছজন গোস্বামীক আদিগুৰু বুলি স্বীকাৰ কৰে। সেই ছজনৰ নাম,—ৰূপ, সনাতন, জীৱ, ৰঘুনাথ ভট্ট, ৰঘুনাথ দাস, আৰু গোপাল ভট্ট। ৰূপ আৰু সনাতন দুয়ো ককাই-ভাই। তেওঁলোক বঙ্গৰ নবাবৰ ডাঙৰ বিষয়া আছিল। দুয়ো সুপণ্ডিত আৰু কেইবাখনো গ্ৰন্থৰ কৰ্ত্তা। জীৱ তেওঁলোকৰ সৰু ভায়েকৰ পুতেক। জীৱই বৃন্দাবনত ৰাধা-দামোদৰৰ মন্দিৰ প্ৰতিষ্ঠা কৰে। ৰঘুনাথ ভট্ট আৰু ৰঘুনাথ দাস দুয়ো গৌড়ীয় ব্ৰাহ্মণ। গোপাল ভট্টই বৃন্দাবনত ৰাধাৰমণৰ মন্দিৰ স্থাপন কৰে। তেওঁৰ বংশধৰসকল আজিও সেই মন্দিৰৰ অধিকাৰ। এই ছয় গোস্বামীৰ বাহিৰে শ্ৰীনিবাস, শ্ৰীস্বৰূপ, গদাধৰ পণ্ডিত, ৰামানন্দ, হৰিদাস প্ৰভৃতি অনেক চৈতন্যৰ শিষ্য হয়। হৰিদাসে বঙ্গদেশৰ কোনো

কোনো ঠাইত পূজা পায়। তেওঁ দিনৌ তিনি লক্ষ কৃষ্ণনাম জপ কৰিছিল বুলি প্ৰবাদ আছে। এওঁলোকৰ বাহিৰেও আঠজন কবিৰাজ আৰু চৌষষ্টিজন মহন্ত আছিল। চৈতন্য-চৰিতামৃত গ্ৰন্থ-কৰ্ত্তা কৃষ্ণ দাস কবিৰাজো তাৰে এজন।

চৈতন্য আৰু বল্লভাচাৰ্য্য দুয়ো প্ৰায় একে সময়তে প্ৰাদুৰ্ভূত হয়। দুয়ো মথুৰাদি প্ৰদেশত ধৰ্ম্ম প্ৰচাৰ কৰিছিল আৰু অনেক বিষয়ত দুই সম্প্ৰদায়ৰ বিশেষ সাদৃশ্য দেখিবলৈ পোৱা যায়। চৈতন্য সম্প্ৰদায় ভুক্তসকলে বৃন্দাবনৰ গোপালকে নবদ্বীপৰ গৌৰাঙ্গাৱতাৰ বুলি ভাবে।

কৃষ্ণদাসে লেখিছে—চৈতন্যই যুগধৰ্ম্মানুসাৰে বিধিভক্তিৰ পৰিবৰ্ত্তে প্ৰেমভক্তি প্ৰকাশ আৰু হৰিনাম প্ৰচাৰ কৰিবলৈ অৱতীৰ্ণ হয়। কিন্তু এইটো তেওঁৰ বহিৰঙ্গ কাৰণ। ইয়াৰ উপৰি আৰু এটি অন্তৰঙ্গ কাৰণ আছে। পূৰ্ব্বে বৃন্দাবনত শ্ৰীকৃষ্ণ আৰু শ্ৰীৰাধাই লীলা কৰি অনুপম সুখ-সম্ভোগ কৰি-ছিল। কিন্তু শ্ৰীকৃষ্ণৰ অতুল মাধুৰ্য্য ৰসানুভৱ কৰি শ্ৰীৰাধিকাই যেনে আনন্দ পাইছিল, কৃষ্ণই সেই আনন্দ অনুভৱ কৰিব নোৱাৰি দুখিত হৈছিল। (শ্ৰীমদ্ভাগৱতত বাৰে বাৰে repeat কৰা "পূৰ্ণ-কাম" আৰু "আত্মাৰাম" পূৰ্ণাৱতাৰ শ্ৰীকৃষ্ণৰ দুখৰ কি পৰিকল্পনা। —লেখক)। এই বাবে শ্ৰীকৃষ্ণই নিজৰ পৰম মাধুৰ্য্য আস্বাদন কৰিবৰ নিমিত্তে ব্যাকুল হৈ এইবাৰ পূৰ্ণশক্তি স্বৰূপা ৰাধিকা আৰু পূৰ্ণশক্তি-মন্ত শ্ৰীকৃষ্ণ দুয়ো একে দেহতে লগ লাগি নবদ্বীপত গৌৰাঙ্গৰূপে অৱতাৰ হল। (দ্বাপৰৰ শেহৰ পৰা নিদিনা চাৰিশ বছৰৰ আগলৈকে নিশ্চয় ব্যাকুল কৃষ্ণৰ দুখ কুলাই পাচিয়ে নধৰা হৈ আছিল; যি হওক তেওঁ ৰক্ষা পালে নবদ্বীপত।—লেখক)। এই বাবেই তেওঁ ৰাধাৰ নিচিনা গৌৰ বৰণ ধৰি গৌৰাং হৈছিল; নিজকে ৰাধা স্থানীয় ভাবি কৃষ্ণ-প্ৰেমত উন্মত্ত হৈ নিৰন্তৰ প্ৰলাপ বকিছিল আৰু প্ৰেমোন্মাদ প্ৰকাশ কৰিছিল।—

"আমা হৈতে ৰাধা পায় যে জাতীয় সুখ।
তাহা আস্বাদিতে আমি সদাই উন্মুখ॥
নানা যত্ন কৰি আমি নাৰী আস্বাদিতে।

(পূৰ্ণকাম পূৰ্ণব্ৰহ্ম কৃষ্ণৰ কি দুখ। কি লাঞ্ছনা। —লেখক)।

সে সুখ মাধুৰ্য্য ঘ্ৰাণে-লোভ বাড়ে চিতে॥"

(আত্মাৰাম শ্ৰীকৃষ্ণৰ লোভৰ পৰা হোৱা কি দুৰ্গতি! ভাগ্যে তেওঁ কামৰূপলৈ নগৈ নবদ্বীপতে ৰল। তালৈ যোৱাহেঁতেন কিজানি—। কৃষ্ণৰ কি caricature।—লেখক)

"ৰস আস্বাদিতে আমি কৈনু অবতাৰ।
প্ৰেমৰস আস্বাদিব বিবিধ প্ৰকাৰ॥"

অৰ্থাৎ গোলোকত famine হৈছিল দেখিছোঁ।

আকো—

"পিতা মাতা গুৰুগণ আগে অৱতৰি।
ৰাধিকাৰ ভাব বৰ্ণ অঙ্গীকাৰ কৰি॥
নবদ্বীপে শচী-গৰ্ভে শুদ্ধ-দুগ্ধ সিন্ধু।
তাহাতে প্ৰকট হইলা কৃষ্ণ পূৰ্ণ-ইন্দু॥"

চৈতন্যই পাঁচজন পাঠানক মন্ত্ৰ দি বৈষ্ণৱ কৰিছিল। সেই বাবে "পাঠান-বৈষ্ণৱ বুলি হইল তাঁৰ খ্যাতি।" "তবে নিজ ভক্ত কৈল যত ম্লেছ কাজি।" নবদ্বীপৰ কাজিয়ে তেওঁৰ মৃদং ভাঙি পেলাইছিল। সেইদেখি চৈতন্যই ঘোৰতৰ সঙ্কীৰ্ত্তন আৰু বিচাৰ কৰি কাজিক পৰাস্ত কৰিলে।

এই বাবেই কিজানি আজি গুৱালপৰীয়া নকল নিমায়ে ঘোৰতৰ কীৰ্ত্তন কৰি পূব পশ্চিম উত্তৰ দক্ষিণৰ মানুহক বিচাৰ লৈ আহ্বান কৰি "হুঙ্কাৰ চাৰিছে।" যেতিয়ালৈকে কোনো কাজিয়ে এই নকল মৃদং নাভাঙে, তেতিয়ালৈকে হুঙ্কাৰ চলিব।

আজিকালি চৈতন্যৰ ওপৰত টেক্কা মাৰি গোস্বামী-সকলে আৰু তেওঁলোকৰ লগত মুছলমানক মৃদং বজাবলৈ নিদিয়ে। চৈতন্যৰ মহত তেওঁলোক গোস্বামী। ইয়াকে বোলে—

"যাৰ মহত শাক সেন্দুৰ।
তাকে পাতে ভোকোন্দা এন্দুৰ॥"

চৈতন্যৰ কথা—

"ঈশ্বৰেৰ কৃপা জাতি কুল নাহি মানে।"

প্ৰেমৰ পাঁচবিধ ভাবৰ ভিতৰৰ মাধুৰ্য্য ভাবকে সাৰোগত কৰি লৈছিল চৈতন্যই। এই ভাবৰে ভাবী হৈ চৈতন্য প্ৰভু বাতুল হৈ পৰিছিল। বল্লভাচাৰী বৈষ্ণৱে যেনেকৈ কৃষ্ণ-সেৱা কৰে, তাৰে সৈতে গৌৰাঙ্গভক্তসকলৰ বিশেষ বিভিন্নতা নাই। অৱশ্যে এই সম্প্ৰদায়ৰ গৃহস্থ মানুহে বল্লভাচাৰীৰ দৰে প্ৰতিদিন আঠবাৰকৈ বিহিত বিধানেৰে কৃষ্ণ-সেৱা নকৰে। বঙ্গদেশৰ অনেক ঠাইত মাথোন পূৰ্ব্বাহ্ণ আৰু সায়াহ্নত তেওঁৰ পূজা হয়। অৱশ্যে কেতিয়াবা কেতিয়াবা ওপৰত কোৱা আঠবিধ সেৱাও যে অনুষ্ঠিত নহয় এনে নহয়। এওঁলোকৰ গুৰুপদাশ্ৰয় সকলোতকৈ আৱশ্যক আৰু শ্ৰেয়: সাধনা। আন আন অনেক সম্প্ৰদায়ৰ দৰে এওঁলোকৰো দেহ, গুৰু আৰু মন্ত্ৰৰ অভেদ জ্ঞান আৰু গুৰুত আত্মসমৰ্পণ আৰু সৰ্ব্বস্ব দান কৰা অৱশ্যে কৰ্ত্তব্য বুলি বিশ্বাস আছে। বৰং

গুৰুক শ্ৰীকৃষ্ণতকৈও শক্তিমন্ত আৰু পূজ্য বুলি মানিব লাগে।

"যো মন্ত্ৰঃ স গুৰুঃ সাক্ষাৎ যো গুৰুঃ স হৰিঃ স্বয়ম।" (উপাসনাচন্দ্ৰামৃত)

গুৰুৰেব সদাৰাধ্যঃ শ্ৰেষ্ঠো মন্ত্ৰাদভেদতঃ।
গুৰৌ তুষ্টে হৰিস্তুষ্টো নান্যথা কল্পকোটিভিঃ॥
(ভজনামৃত)

অৰ্থাৎ গুৰুৱেই সকলো। গুৰু তুষ্ট হলেই হৰি তুষ্ট হয়। নতুবা কোটি কল্প আৰাধনা কৰিলেও হৰি তুষ্ট নহয়।

"প্ৰথমন্তু গুৰুঃ পূজ্যস্তশ্চৈব মমাৰ্চ্চনম।"
(ভজনামৃত)

গোস্বামীসকলে এইদৰে কুল-ক্ৰমাগত গুৰুৰ-পদৰ অধিকাৰী হৈ আছিছে। তেওঁলোকে এনে দুৰ্দ্ধৰ্ষ গুৰুৰপদ আৰু একাধিপত্য পাই, শিষ্যৰ ওপৰত যে কি যথেচ্ছ অত্যাচাৰ কৰে আৰু শিষ্যৰ পৰা কৰ লয়, সি বৰ্ণাৰ উঁৰিত উলিৰা কৰতকৈও কোৱাল। গোসাঁইৰ আজ্ঞা পালনৰ নিমিত্তে শিষ্যৰ ওপৰত প্ৰহাৰ আৰু বন্ধন পৰ্য্যন্ত চলে। চৈতন্যদেৱৰ নিশ্চয় এইবোৰ স্বপ্নৰ অগোচৰ আছিল। আমাৰ অসমতো শ্ৰীশঙ্কৰদেৱে শ্ৰীমাধৱদেৱে, বনমালীদেৱে আৰু গোপালদেৱে সমাজিকতো নভৱা এনে কাণ্ড অনেক সত্ৰত যে নহয়, এনেকৈ ডাঠি আমি কব নোৱাৰোঁ। কি দুখৰ কথা।

গোস্বামীসকলে গৃহস্থসকলক মন্ত্ৰ দি উপাসনাৰ প্ৰকৰণ উপদেশ দিয়ে। যি জাতি-কুল পৰিত্যাগ কৰি বৰাগী হৈ গৌৰাঙ্গৰ আশ্ৰয় লব খোজে, তেওঁ "ভেক" লোৱাৰ নিয়ম আছে। তেনে শিষ্যক মূৰ খুৰাই, গা ধুৱাই, "ডোৰ" কৌপীন বহিৰ্ব্বাস, তিলক, মুদ্ৰা, কৰঙ্গ বা ঘটী আৰু জপ-মালা আৰু ত্ৰিকণ্ঠিকা গল-মালা দি মন্ত্ৰ দিয়া হয়। সেই কাৰ্য্যৰ গুৰু-দক্ষিণা কম পক্ষে পাঁচ সিকি। তাৰ বাহিৰে, অদ্বৈত্য, নিত্যানন্দ আৰু চৈতন্য প্ৰভুৰ ভোগ দিব লাগে আৰু মহোৎসৱ কৰি বৈষ্ণৱসকলক খুৱাব লাগে। এই "ভেকাশ্ৰম"ৰ সৃষ্টিকাৰক নিত্যানন্দ প্ৰভু। চৈতন্যীয়াই সাযুজ্য মুক্তিৰ প্ৰাধান্য স্বীকাৰ নকৰে। তেওঁলোকে বিচাৰে,—সালোক্য, সামীপ্য, সাৰ্ষ্টি, সাৰূপ্য। এওঁলোকে নিজক মধ্বাচাৰী সম্প্ৰদায়ৰ অন্তৰ্গত বুলি কয়।

"ৰাধা কৃষ্ণ এক আত্মা দুই দেহ ধৰি।
অন্যোন্যে বিলসয়ে ৰস আস্বাদন কৰি॥
সেই দুই এক এবে চৈতন্য গোসাঞি।
ৰস আস্বাদিতে দোঁহে হৈল এক ঠাই॥"

দুজন লোক স্বকীয়া হৈ থাকিলেহে ইজনে সিজনৰ ৰসৰ সোৱাদ লব পাৰে। দুয়ো মিলি একে ঠাইতে একাকাৰ হলে কোনে কাৰ কেনেকৈ সোৱাদ লব পাৰে নবুজিলোঁ। এইটো কিন্তু সাযুজ্য। অথচ চৈতন্য গোসাঁই সাযুজ্যৰ ওপৰত খড়্গহস্ত। কিজানি খড়্গখন লোকৰ বেলিকাহে। চৈতন্য চৰিতামৃতত কৈছে: "বৃষ্ণ সাযুজ্য মুক্তেৰ তাঁহা নাহি গতি। বৈকুণ্ঠ বাহিৰে তাসবাৰ হয় স্থিতি।" অৰ্থাৎ সাযুজ্য মুক্তি পোৱাবোৰৰ according to the law promulgated by Chaitanya and his Sishyas বৈকুণ্ঠত no admission.

"ৰাধা কৃষ্ণ ঐছে সদা একই স্বৰূপ।
লীলাৰস আস্বাদিতে ধৰে দুই ৰূপ॥"

এইষাৰ সঙ্গত কথা। লীলাৰস আস্বাদন কৰিবৰ নিমিত্তে এজনেই দুজন হল নতুবা সেই কাৰ্য্য সম্ভৱ নহয়। এনেস্থলত চৈতন্যৰ গাত দুজনে একে-জন হৈ কেনেকৈ ৰসৰ সোৱাদ ললে বুজা টান। সাযুজ্যৰতো তাত ঠায়েই নাই।

যুগধৰ্ম্ম অৰ্থাৎ কলিযুগৰ নাম-ধৰ্ম্ম প্ৰচাৰৰ নিমিত্তে চৈতন্য অৱতাৰ হোৱা নাছিল। তেওঁ কৃষ্ণৰ মাধুৰ্য্যৰস আস্বাদন কৰিবলৈহে কৃষ্ণ-ৰাধা দুয়ো একেজন হৈ চৈতন্য অৱতাৰ ধৰিছিল। এনেতে যুগধৰ্ম্মক বাটতে পাই তাকো লগতে ললে অৰ্থাৎ আমাৰ চহা কথাৰে কবলৈ গলে—"বাটত পালে কমাৰ, দা গঢ়ি দিয়া আমাৰ।"

"এই মত চৈতন্যকৃষ্ণ পূৰ্ণ ভগবান।
যুগধৰ্ম্ম প্ৰবৰ্ত্তন নহে তাৰ কাম॥
কোন কাৰণে যবে হৈল অৱতাৰ মন।
যুগধৰ্ম্ম কাল হৈল সে কালে মিলন॥"

আকৌ—

"অৱতৰি প্ৰভু প্ৰচাৰিল সঙ্কীৰ্ত্তন।
এহো বাহ্য হেতু পূৰ্ব্বে কৰিয়াছি সূচন॥
অৱতাৰের আৰ এক আছে মুখ্য বীজ।
ৰসিক শেখৰ কৃষ্ণেৰ সেই কাৰ্য্য নিজ॥"
"ৰাধিকাৰ ভাব মূৰ্ত্তি প্ৰভুৰ অন্তৰ
সেই ভাবে সুখ দুঃখ উঠে নিৰন্তৰ॥
শেষ লীলায় প্ৰভুৰ কৃষ্ণ-বিৰহ উন্মাদ।
ভ্ৰমময় চেষ্টা আৰ প্ৰলাপময় বাদ॥"

কৃষ্ণ আৰু ৰাধা দুয়ো গোট খাই এজন হৈ চৈতন্য গোসাঁই হৈছিল। এতেকে ধৰি লব পাৰি যে কৃষ্ণ ৰাধিকাৰ লগতে অভেদ হৈ আছিল। এনেস্থলত ৰাধিকাই কৃষ্ণক হেৰুৱালে কেনেকৈ আৰু সেই বাবে "প্ৰভুৰ কৃষ্ণ-বিৰহ উন্মাদ" হল কিয় আৰু "ভ্ৰমময় চেষ্টা আৰ প্ৰলাপময় বাদেই" বা হল কিয়,

কোনে কব ? দেখি-শুনি পোনপটিয়েদি ভাবিবলৈ গলে এনে সিদ্ধান্তত নোলাই নোৱাৰি যে চৈতন্যক ৰাধিকাৰ অৱতাৰ বুলি ধৰিলেও, কৃষ্ণৰ অৱতাৰ বুলি একোপধ্যে ধৰিব নোৱাৰি।

শ্ৰীকৃষ্ণই বৃন্দাবনত—

"ৰাধিকাদি লঞা কৈল ৰাসাদি বিলাস।
বাঞ্ছা ভৰি আস্বাদিল ৰসের নির্যাস ॥"

শ্ৰীকৃষ্ণ পূৰ্ণকাম আৰু আত্মাৰাম বুলি ভাগৱতে দঢ়াই দঢ়াই কৈছে। ৰাসমণ্ডলত গোপীয়ে কৃষ্ণক মোহিব নোৱাৰিলে, তেওঁলোকহে মোহিত হল, এই কথাও বাৰে বাৰে ভাগৱতে কৈছে। কিন্তু কৃষ্ণদাস কবিৰাজে কয়—

"নিজ প্রেমাস্বাদে মোর হয় যে আহলাদ।
তাহা হৈতে কোটি গুণ ৰাধা প্রেমাস্বাদ ॥"

আকৌ—

"আপনা আস্বাদিতে কৃষ্ণ করেণ যতন।"
"কৃষ্ণের মাধুরী কৃষ্ণ উপজয়ে লোভ।
সম্যক আস্বাদিতে নারে রহে ক্ষোভ ॥"

সেইদেখিহে কওঁ, যে পূৰ্ণকাম, আত্মাৰাম কৃষ্ণৰ কি দুৰ্গতি! তেওঁ নিজৰ মাধুৰীৰ নিজে সোৱাদ লব নোৱাৰে, অথচ লোভৰ উৎপাতত তেওঁ একেবাৰেই "কাবু"। নিৰুপায় হৈ তেওঁ নবদ্বীপৰ শচীদেৱীৰ ঘৰ পালেহি। কলিৰ আজি প্ৰায় পাঁচ হেজাৰ বয়স হল। যিদিনা কৃষ্ণ বৈকুণ্ঠলৈ গল, সেই দিনাই কলি প্ৰৱেশ কৰিলে। কৃষ্ণ ১২৫ বছৰ জীয়াই আছিল। সেইদেখি আমি খৃঃ পূঃ ৩২২৬ বছৰত জন্ম হৈছিল এইটো পাওঁ। সেই কালৰ পৰা প্ৰায় ৪০০ বছৰৰ আগলৈকে অৰ্থাৎ চৈতন্যৰ জন্ম দিনলৈকে কৃষ্ণই নিজৰ প্ৰেমৰ মাধুৰীৰ সোৱাদ লব নোৱাৰি কি কেলেশকে ভোগ কৰিছিল ভাবিলেও যেজাৰ লাগে। ঠিক যেন কোনোবা দৈত্যাই বৃন্দাবনৰ কোমল ঘাঁহৰ মাজত কৃষ্ণৰ শ্যামলী গাইৰ মুখত মোখোৰা বান্ধি তাইক এৰি দিছিল।

আকৌ অলপ টোকা এটা দিওঁ :—

"কৃষ্ণের বিচার এক রহয়ে অন্তরে।
পূর্ণানন্দ পূর্ণ রস রূপ কহে মোরে।
আমা হৈতে আনন্দিত হয় ত্রিভুবন।
আমাকে আনন্দ দিবে ঐছে কোন জন ॥
আমা হৈতে যার হয় শত শত গুণ।
সেইজন আহলাদিতে পারে মোর মন ॥
আমা হৈতে গুণী বড় জগতে অসম্ভব।
একলি রাধাতে তাহা করি অনুভব ॥
মোর রূপে আপ্যায়িত হয় ত্রিভুবন।
রাধার দর্শনে মোর জুরায় নয়ন ॥
মোর বংশী রবে আকর্ষয় ত্রিভুবন।
রাধার বচনে হরে আমার শ্রবণ ॥

এই মতে জগতের সুখে আমি হেতু।
রাধিকার রূপ-গুণ আমার জীবাতু ॥

এনেকুৱা ব্যাপাৰ। শ্ৰীমদ্ভাগৱতত লেখিছে—

"নপাৰিলে গোপীগণে মোহিবে কৃষ্ণক।
ছায়ায়ে সহিতে যেন ওমলে বালক ॥
কৃষ্ণৰ ক্রীড়াত বিমোহিত গোপবালা।"

ৰাধা সহস্ৰ গোপীৰ ভিতৰৰ এজনা। হব পাৰে তেওঁ প্ৰধান গোপিকা, হব পাৰে কৃষ্ণ অদৃশ্য হবৰ সময়ত আন গোপীসকলক এৰি কৃষ্ণই তেওঁকে লগত লৈ গৈছিল ; কিন্তু তেওঁৰ সেই বাবে গৰ্ব্ব হোৱাত ভাগৱতে কি কয় শুনা :—

"চলি যায় যিটো গোপী কৃষ্ণৰ লগত।
মহাগৰ্ব্ব ভাৱ তাইৰ বাঢ়িল মনত ॥
কৃষ্ণক আশায়ে আইলো যত গোপীজাক।
সবাকে এৰিয়া কৃষ্ণে ভজিলা আমাক ॥
সমস্ত নাৰীত শ্ৰেষ্ঠ আপোনাক মানি।
মহা দৰ্পে কৃষ্ণক বুলিল হেন বাণী ॥
চলিতে নপাৰো মই আৰ এক ভৰি।
যেকে মন নিয়া আবে যেন লাগে কৰি ॥
শুনি হেন হৰিও বুলিলা তাইক হাসি।
যাবে যেবে নোৱাৰা কান্ধত উঠা আসি ॥
শুনি উঠিবাক তাই গৈলা কাছিপাৰি।
দেখি অন্তৰ্দ্ধান ভৈলা আগতে মুৰাৰি ॥
কান্দে আৰ্ত্তৰাৱে গোপী কৃষ্ণক নেদেখি।
হা নাথ! কৈক গৈলা আমাক উপেক্ষি ॥
তোমাৰেসে দাসী মই জানা নাৰায়ণ।
অনাথৰ নাথ মোক দিয়া দৰিশন ॥"

ৰাধাই কৃষ্ণক কৈছে—"মই তোমাৰ দাসী" !!!

এৱেঁই চৈতন্যপন্থী কৃষ্ণদাস কবিৰাজকে প্ৰমুখ্য কৰি ভক্তসকলৰ ৰাধা নে ? এৱেঁই "কৃষ্ণ হৈতে গুণী", আৰু পূৰ্ণানন্দ অথচ আনন্দৰ ভিকহু কৃষ্ণক আনন্দ দিওঁতা নে ? এৱেঁই কৃষ্ণৰ "জীবাতু," এওঁক দেখিলেই কৃষ্ণৰ "জুৰায় নয়ন" আৰু আনক দেখিলে, তেওঁৰ সৃষ্টি বিচিত্ৰ জগত দেখিলে আৰু নিজৰ সুন্দৰতকৈও সুন্দৰ তনু দেখিলেও নয়ন নুজুৰায়। এইবোৰ কথা শ্ৰীমদ্ভাগৱতৰ কথাৰ বিৰোধী আৰু চৈতন্যৰ কবি শিষ্যসকলৰ মানস-নন্দিনী। অথচ তেওঁলোকে শ্ৰীমদ্ভাগৱতৰ "দোহাই দি" চলে, আৰু এনেবোৰ কথা মনাক আঁৰেজত বুলি ছেৰেট-

ফেৰেউ কৰে আৰু তৃণতকৈও সুনীচ আৰু তৰুতকৈও সহিষ্ণু তেওঁলোকে আনক দৈত্য বুলি নিজে দেৱতাৰ শাৰীত বহে। দুখৰ বিষয় আজিকালি জবৰ্দস্ত দেৱতা পৃথিৱীত নাই নতুবা তেওঁলোকৰ দশা কি হল-হেঁতেন ভাবিব নোৱাৰি। ব্যাসে নজনা, শুকে নজনা কথাকো এই "বৈষ্ণৱসকলে" জানে আৰু কয়। আমি কওঁ, চৈতন্যদেৱক মহাভক্ত, মহাবৈষ্ণৱ, আৰু ঈশ্বৰৰ গুণ তেওঁত অধিক প্ৰকাশিত হৈছিল বুলি আমি নিশ্চয় মানো, কিন্তু তেওঁৰ শিষ্যসকলৰ এই মকৰা-জালৰ ভিতৰেদি আমি তেওঁৰ কাষলৈ নাযাওঁ, এইটো ঠিক। তেওঁ কি, আমি ভালকৈ জানিছো; জানি কৃষ্ণপ্ৰাণ কৃষ্ণভক্ত তেওঁৰ চৰণত আমি মাথা পোৱাইছো আৰু দোৱাম। কিন্তু তেওঁৰ শিষ্যসকলে চৰ্জা এনেখন কুঁৰলি ভেদ কৰিবলৈ আমি মান্তি নহওঁ। ব্যাসদেৱ শুকদেৱে নজনা ইমানখন কথা তেওঁলোকে কেনেকৈ জানিলে আমি দেখি আচৰিত মানিছো।

কৃষ্ণদাস কবিৰাজে তেওঁৰ কিতাপত লিখিছে :—

"কৃষ্ণ নাহি মানে তাতে দৈত্য কৰি মানি।
চৈতন্য নামানিলে তৈছে দৈত্য তাৰে জানি॥
মোৰে নামানিলে সব লোক হবে নাশ।
এই লাগি কৃপাদ্ৰ প্ৰভু কৰিলা সন্ন্যাস॥
সন্ন্যাসী-বুদ্ধ্যে মোৰে কৰিবে নমস্কাৰ।
তথাপি খণ্ডিবে দোষ পাইবে নিস্তাৰ॥"

এই কথাৰে প্ৰতিধ্বনি কৰি সিদিনা চৈতন্যভক্ত অসমীয়া "মহোপদেশক প্ৰভুপাদ" এজনে চৈতন্যক নমনা অসমীয়া মানুহক দৈত্য বুলি গালি পাৰিছিল। সকলো ধৰ্মকে উদাৰ চকুৰে চোৱা সনাতন হিন্দু ধৰ্মৰ কিন্তু এইটো spirit বা লক্ষণেই নহয়। এই spirit ছেমিটিক ধৰ্মতহে দেখি-বলৈ পোৱা যায়। মহম্মদৰ ধৰ্ম্ম নৱবাক মুছলেম-সকলে কাফেৰ বোলে আৰু কয় কাফেৰৰ কোনো কালে গতি নাই। খৃষ্টানে কয়, খৃষ্টত বিশ্বাস স্থাপন নকৰিলে মুক্তি নাই, আৰু খৃষ্টক অৱলম্বনেই হে এক মাথোন মুক্তি বা salvation-অৰ বাট। আমাৰ ভগৱান কৃষ্ণই কি কয়? তেওঁৰ মুখনিসৃত মহাশাস্ত্ৰ-গীতাত তেওঁ অতি উদাৰভাৱে কৈছে,—

"যে যথা মাং প্ৰপদ্যন্তে তাং স্তথৈব ভজাম্যহম্।
মমবৰ্ত্মানুবৰ্ত্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্ব্বশঃ॥"

কিন্তু চৈতন্যীয়াই কয়, চৈতন্যপ্ৰদৰ্শিত বাট নধৰিলে, চৈতন্যক নামানি চলা জন দৈত্য। এনে কথা হিন্দু ধৰ্মত খাপ নাখায়, ছেমিটিক ধৰ্ম্মত-হে খাপ খায়। কৃষ্ণৰ মহাভক্তসকলৰ ভিতৰত দৈত্যকুলৰ প্ৰদীপ প্ৰহলাদ আৰু বলিও আছিল।

ন-কৈ convert হোৱা তপত গাৰপৰা ধোঁৱা ওলাই থকা অসমীয়া "মহোপদেশক" "শ্ৰীপাদ-প্ৰভুপাদে" দেখিব যে তেওঁ কুকুৰে কাঁইট নোখোৱাকৈ গালি পৰা আমাৰ উদাৰ শ্ৰীশঙ্কৰদেৱৰ মুখত এনে কথা নাই। তেওঁৰ মুখত এনে কথাহে আছে :—

"যতেক নদ-নদী সমুদায়।
অনেক পথে সাগৰক যায়॥"

শ্ৰীশঙ্কৰদেৱৰ শিষ্যসকলে শ্ৰীচৈতন্যদেৱৰ প্ৰতি শ্ৰদ্ধা আৰু সন্মান দেখুৱাই চাৰিদিশে চাৰিজন অৱতাৰৰ ভিতৰতহে চৈতন্যদেৱক সুমাই লৈছে। তেওঁলোকে কোঁতিয়াও এনে সঙ্কীৰ্ণভাৱে আৰু আস্পৰ্দ্ধাৰে নকয় যে শঙ্কৰক নামানি চৈতন্যক মনাবোৰ সৰ্ব্বোত্তম হলেও অসুৰ।

"হেন কৃপাময় চৈতন্য নামানে যেই জন।
সৰ্ব্বোত্তম হৈলে তাৰে অসুৰে গণন॥"
(চৈতন্য চৰিতামৃত)

"নিন্দক পাষণ্ডী যত পড়ুয়া অধম।
মায়াবাদী কৰ্ম্মনিষ্ঠ কুতাৰ্কিকগণ॥"

আৰু যাইকৈ চৈতন্যক প্ৰণাম নকৰা কাশীৰ মায়াবাদী পাণ্ডিতসকলৰ পৰা মান আৰু প্ৰণাম লবলৈ মাথোন চৈতন্যই সন্ন্যাস লৈ সন্ন্যাসী হৈছিল।

"এত বলি মনে কিছু কৰিলা বিচাৰ।
সন্ন্যাস আশ্ৰম প্ৰভু কৈলা অঙ্গীকাৰ॥"

চৈতন্যৰ এই diplomacy কিছু দূৰ কৃতকাৰ্য্য হৈছিল যদিও ই "ডিপ্লোমেচি"; কাৰণ তেওঁলোকৰ পৰা সন্মান আৰু সেৱা বা প্ৰণাম পাবলৈহে যে এই "ভেক" বা ভেশ লৈছিল সেইটো নিশ্চয়; কিয়নো সন্ন্যাস আশ্ৰমত তেওঁৰ বিশ্বাস নাছিল। কবিৰাজে লেখিছে :—

"কেবা এড়াইবে প্ৰভুৰ প্ৰেম-মহা জাল।"
"সভা নিস্তাৰিতে কৰে চাতুৰী অপাৰ॥"
"তবে নিজ ভক্ত কৈল যত ম্লেচ্ছ আদি।"

"যত ম্লেচ্ছ আদিৰ" লেখটো কবিৰাজে নিদিলে, সেইদেখি আমি যি কেইজন ম্লেচ্ছৰ নাম পাইছো, সি আমাৰ আঙুলিৰ মূৰত লেখিবলৈকো নাটে। বিহক, চৈতন্যদেৱৰ "অপাৰ চাতুৰীৰ জাল" "সবে এড়াইল মাত্ৰ কাশীৰ মায়াবাদী" কাশীত প্ৰকাশানন্দ আৰু চৈতন্যৰ কথা-বাৰ্ত্তাৰ দুই-চাৰি আষাৰ এই-খিনিতে তুলি দিওঁ :—

"প্ৰকাশানন্দ নামে সৰ্ব্ব সন্ন্যাসী-প্ৰধান।
প্ৰভুকে কহিল কিছু কৰিয়া সন্মান॥

ইহা আইস ইহা আইস শুনহ শ্ৰীপাদ।
অপবিত্ৰ স্থানে বৈস কিবা অবসাদ॥
প্ৰভু কহেন আমি হই হীন সম্প্ৰদায়।
তোমা সভার সভায় বসিতে না জুয়ায়॥"

প্ৰকাশানন্দ—

"সম্প্ৰদায়ী সন্ন্যাসী তুমি রহ এই গ্ৰামে।
কি কারণে আমা সভার না কর দৰ্শনে॥
সন্ন্যাসী হইয়া কর নৰ্ত্তন গায়ন।
বেদান্ত পঠন প্ৰধান সন্ন্যাসীর ধৰ্ম্ম।
তাহা ছাড়ি কেন কর ভাবকের কৰ্ম্ম॥

"হীনাচার কর কেন কি ইহার কারণ॥"

প্ৰভু কহে—

গুৰু মোরে মূৰ্খ দেখি করিলা শাসন।
মূৰ্খ তুমি তোমার নাহি বেদান্তাধিকার।
কৃষ্ণ মন্ত্ৰ জপ সদা এই মন্ত্ৰ সার॥

আজিকালি খৃষ্টধৰ্ম্ম প্ৰচাৰ কৰা মিছনেৰীযে মানুহ ধৰিবলৈ নানা প্ৰলোভনৰ খেৱালি জাল মৰা শুনো, সঁচা-মিছা কব নোৱাৰোঁ; কিন্তু হিন্দু-ধৰ্ম্মত এনে প্ৰথাৰ ব্যৱহাৰ দুটা-এটা কাচিৎ-কৰবাতহে থকাৰ বাহিৰে দেখা নাযায়। "অবৈষ্ণৱ" শ্ৰীশঙ্কৰদেৱেতো এনে চাতুৰীৰ কাষলৈকে নগৈছিল, যদিও তেওঁ কৃপালু বুলি বিখ্যাত। আন কি চৈতন্যীয়া বৈষ্ণৱৰ নিন্দাৰ কাঁব খোৱা দয়ালু শাক্ত ৰামকৃষ্ণ পৰমহংস-দেৱেও এনে চাতুৰীৰ জাল হাতত লোৱা নাছিল আৰু আজিৰ জগতত শ্ৰেষ্ঠ মানৱ মহাত্মা গান্ধীয়েও তেওঁৰ মতলৈ মানুহ আনিবৰ নিমিত্তে এনেকুৱা কোনো কাৰ্য্য কৰা নাই। তেওঁৰ আশ্ৰমবাসী খৃষ্টান শিষ্যকো তেওঁৰ অটল বিশ্বাসৰ বস্তু সনাতন হিন্দুধৰ্ম্মলৈ আনিবৰ নিমিত্তে তেওঁ এক কপৰ্দ্দকো চেষ্টা কৰা নাই।

(বাঁহী: ২২শ বছৰ, ৭ম-১২শ সংখ্যা, ১৮৫৫ শক)

ৰাধা-তত্ত্ব

যেয়ে যিহকে নকওক, 'হৰিবংশ'ত ৰাস-লীলাৰ কথা আছে, কিন্তু ৰাধাৰ নাম-গোন্ধো নাই, শ্ৰীমদ্ভাগৱততো নাই। ব্ৰহ্মবৈবৰ্ত্ত-পুৰাণতে ৰাধাৰ প্ৰথম আবিৰ্ভাৱ। আচল বা আদি ব্ৰহ্মবৈবৰ্ত্ত-পুৰাণ আজিকালি দেখিবলৈ পোৱা নাযায়। বৰ্ত্তমান আকাৰত যিখন পোৱা যায়, তাৰ সম্বন্ধে তত্ত্বানুসন্ধান-কাৰী পণ্ডিতসকলে কি কয় চমুকৈ কওঁ:

বিষ্ণু-পুৰাণৰ ইংৰাজী ভাঙনি কৰা উইলছনচাহাবে কয়, ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ সকলো পুৰাণতকৈ পিছৰ কালৰ। মৎস্য-পুৰাণত ব্ৰহ্মবৈবৰ্ত্তৰ যি লক্ষণৰ বৰ্ণনা দিয়া হৈছে, তাৰে সৈতে আজিকালিৰ ব্ৰহ্মবৈবৰ্ত্তৰ অলপো মিল নাই।

বঙ্কিম বাবুৱে কৈছে, "প্ৰচলিত ব্ৰহ্মবৈবৰ্ত্তের রচনা প্ৰণালী আজকালকার ভট্টাচাৰ্য্যদের মত।" বিশ্ব-কোষৰ নগেন্দ্ৰ বাবুৱে কৈছে, "প্ৰচলিত ব্ৰহ্মবৈবৰ্ত্তে এত বেশী ভেজাল মিলিয়াছে যে, আদি অকৃত্ৰিম জিনিষ বাছিয়া লওয়া অসম্ভব। প্ৰচলিত পদ্ম-পুরাণ অপেক্ষাও ইহা আধুনিক গ্ৰন্থ বলিয়া মনে হয়। এদেশে মুসলমান অধিকার বিস্তৃত হইলে ও হিন্দু মুসলমান সংশ্ৰবে নানা জাতি উদ্ভূত হইতে থাকিলে এই পুরাণের সৃষ্টি।" অথচ ব্ৰহ্মবৈবৰ্ত্তৰ আৰম্ভতে কোৱা হৈছে যে ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ সকলো পুৰাণৰ মাজত সাৰ। ই অন্যান্য পুৰাণ, উপপুৰাণ আৰু বেদৰ ভ্ৰমনিবাৰক আৰু হৰিভক্তিকাৰী। অৰ্থাৎ এইখন পুৰাণ বেদৰো ভ্ৰমনিবাৰক। এনেকুৱা দাম্ভিক উক্তি এইখন পুৰাণৰ।

ব্ৰহ্মবৈবৰ্ত্তই ৰাসমণ্ডলৰ কথা এইদৰে কৈছে: পূৰ্ব্বে প্ৰলয় কালত কোটি সূৰ্য্যৰ নিচিনা প্ৰভাশালী অসংখ্য বিশ্বৰ কাৰণ আৰু অবিনশ্বৰ জ্যোতিঃপুঞ্জ মাথোন আছিল। স্বেচ্ছাময় পৰমেশ্বৰৰ সেই উজ্জ্বল জ্যোতিৰ ভিতৰত মনোহৰ তিনিলোক আছিল। সেই লোকত্ৰয়ৰ ওপৰত ঈশ্বৰৰ নিচিনা অবিনশ্বৰ ত্ৰিকোটি যোজন বহল মণ্ডলাকৃতি গোলোকধাম পৰমেশ্বৰৰ যোগ বলেৰে আছে। প্ৰলয় কালত তাত মাথোন শ্ৰীকৃষ্ণ আৰু সৃষ্টিৰ সময়ত গোপ-গোপীসকল থাকে। সেই গোলোকধামৰ দক্ষিণ ফালে পঞ্চাশ কোটি যোজনৰ তলত বৈকুণ্ঠ। ইয়াত লক্ষ্মীনাৰায়ণ থাকে। ইত্যাদি

ৰাধাৰ উৎপত্তিৰ বিষয়ে কৈছে: ভগৱন্ত গোলোকনাথ পূৰ্ব্বসৃষ্ট দেৱতাসকলেৰে সৈতে ৰাসমণ্ডলত অৱস্থিতি কৰে। তাৰ পিছত শ্ৰীকৃষ্ণৰ শৰীৰৰ বাঁওফালৰ পৰা এজনী কন্যা আবিৰ্ভূত হৈ শ্ৰীকৃষ্ণৰ পাদপদ্মত অৰ্ঘ্য দিবলৈ গল। সেই বাবে সেই কন্যাটীৰ নাম হল ৰাধা। সেই ৰাধা পৰমাত্মা শ্ৰীকৃষ্ণৰ প্ৰাণৰ অধিষ্ঠাত্ৰী দেৱী আৰু প্ৰিয়-তমা। ৰাধা আবিৰ্ভাৱতে ষোলবছৰীয়া আৰু জগতৰ সকলো সুন্দৰীতকৈ সুন্দৰী। পিছত ৰাধাই শ্ৰীকৃষ্ণক সম্ভাষণ কৰি তেওঁৰ বদনকমল নিৰীক্ষণ কৰি কৰি সহাস্য বদনে ৰত্ন-সিংহাসনত উপবেশন কৰিলে। এই সময়ত ৰাধাৰ লোমকূপৰ পৰা ৰূপ আৰু বেশ বচনাত ৰাধাৰে নিচিনা লক্ষ

কোটি গোপাঙ্গনা আৱিৰ্ভূত হল। তেনেকৈ শ্ৰীকৃষ্ণৰ লোমকূপৰ পৰাও ত্ৰিছ কোটি গোপ ওলাল। সেই দৰে গৰু-গাই পোৱালীবোৰ সৈতে ওলাল। ইত্যাদি।

ব্ৰহ্মবৈবৰ্ত্তই ৰাধা-তত্বৰ বিষয়ে যি কৈছে, তাৰ চমু মৰ্ম্ম :

শ্ৰীকৃষ্ণই কলে, তুমি মোৰ প্ৰাণাধিকা মঙ্গল-দায়িনী প্ৰেয়সী ৰাধিকা। যি তুমি, সেই মই। আমাৰ কোনো ভেদ নাই। যেনেকৈ গাখীৰত শুকুলা বৰণ, অগ্নিত দাহিকা শক্তি, পৃথিৱীত গন্ধ প্ৰভৃতি সদায় থাকে, সেইদৰে মযো তোমাতে সদায় থাকোঁ। যেনেকৈ কুমাৰে মাটি নহলে ঘট সাজিব নোৱাৰে, সোণাৰিয়ে সোণ নহলে কেৰু সাজিব নোৱাৰে, সেইদৰে ময়ো তুমি নহলে সৃষ্টি কৰিব নোৱাৰোঁ। তুমি সৃষ্টিৰ আধাৰ স্বৰূপা, মই বীজ স্বৰূপ। এতেকে হে সাধ্বি! এতিয়া তুমি আহি মোৰ উৎফুল্ল বক্ষঃস্থলত তোমাৰ শয়ন স্থান কৰা।" ইত্যাদি।

আকৌ "তুমি মোৰ অৰ্দ্ধাংশসম্ভূতা মূল প্ৰকৃতি, তুমি শক্তি, বুদ্ধি, জ্ঞান আৰু তেজেৰে মোৰ সমান। ব্ৰহ্মা, অনন্ত, শিৱ, ধৰ্ম্ম, নৰ-নাৰায়ণ, ঋষি দুজন, কপিল, গণেশ, কাৰ্ত্তিক প্ৰভৃতি সকলো মোৰ প্ৰিয় আৰু লক্ষ্মী, সৰস্বতী, দুৰ্গা, সাবিত্ৰী এওঁলোকো মোৰ প্ৰিয়। কিন্তু তোমাৰ সমান কোনো প্ৰিয় নহয়।" ইত্যাদি।

ৰাধাই শ্ৰীকৃষ্ণক আত্মপৰিচয় দিছে :

"হে মাযেশ! মই তোমাৰ ভক্ত হৈয়ো তোমাৰ মায়া-জালত আৱদ্ধ হৈছোঁ। তোমাৰ মায়াই মোৰ নিচিনা কত লোকক সদায় ঘূৰাই ফুৰাইছে। মই এজন ভক্তৰ শাপত পৃথিৱীত গোপীৰূপে জন্ম গ্ৰহণ কৰিছোঁ। আকৌ তোমাৰে সৈতে এশ বছৰ বিচ্ছিন্ন ভাবে থাকিব লাগিব।" ইত্যাদি।

ভাগৱতত আছে : "কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ। শঙ্খ-চক্ৰ গদা-পদ্ম কৰত তোমাৰ॥" ব্ৰহ্মবৈবৰ্ত্তই কৈছে : কৃষ্ণ দ্বিভুজ মুৰুলী হাতেৰে উপজিছিল।

এনেকুৱাকৈ বেদ, মহাভাৰত, ভাগৱত আৰু আন আন প্ৰাচীন পুৰাণাদিৰ বিৰুদ্ধ অসঙ্গত উক্তি ব্ৰহ্মবৈবৰ্ত্তত অনেক আছে।

এইদেখি এজন বঙালী পণ্ডিতে লেখিছে :

"বিস্ময়ের বিষয়, বঙ্গীয় নব্য বৈষ্ণব সম্প্ৰদায়ের প্ৰবৰ্ত্তক প্ৰখ্যাতনামা চৈতন্যদেব শাস্ত্ৰপাৰদৰ্শী ও সুপণ্ডিত হইয়াও কিৰূপ যে অপ্ৰামাণিক এই পুৰাণ নামের অযোগ্য ব্ৰহ্মবৈবৰ্ত্তে সম্যক আস্থা স্থাপন ও তত্তদুক্ত গোপীকৃষ্ণ এবং ৰাধা-কৃষ্ণ প্ৰেম-লীলা স্বীয় জীবনে পাৰিষদ সাহায্যে অভিনয় কৰত শেষে স্বীয় অভিপ্ৰায়ানুৰূপ ৰূপান্তৰিত বৈষ্ণব ধৰ্ম্ম দেশে দেশে প্ৰচাৰ কৰিয়াছিলেন, তাহা আমাদেৰ বুদ্ধিগম্য নহে।

"পৰে ঐ সম্প্ৰদায় হইতে ক্ৰমশঃ বিভিন্ন গুৰু গোসাঁই নিযুক্ত হইয়া ৰাধা সহ কৃষ্ণাবতাৰ এবং ৰাধা মিশ্ৰ যুগলাত্মক চৈতন্য বা গৌৰাঙ্গৱতাৰ মত, এবং তত্তদানুসঙ্গিক প্ৰকল্পিত নানাবিধ সাধন, ভজন ও বাহ্য আচাৰাদিৰ নিয়ম হিন্দু নৰনাৰীৰ মধ্যে উত্তৰোত্তৰ প্ৰচাৰ কৰিয়া বহু বৈষ্ণব সম্প্ৰদায়েৰ (তন্মধ্যে গৌৰাঙ্গ সম্প্ৰদায়েৰও) সৃষ্টি ও পৰিপুষ্টি সাধনে কৃতকাৰ্য্য হইয়াছেন।"

"আমৰা মনে কৰিতে পাৰি, প্ৰাচীন বৈষ্ণব পুৰাণ এবং হৰিবংশ হইতে ভাগৱত প্ৰচাৰেৰ কাল পৰ্য্যন্ত সমাজে একা কৃষ্ণই দেবতা বলিয়া সম্পূজিত হইয়াছিলেন, কেননা, তখন ৰাধা শক্তিৰ কথা কেহ শুনে নাই। এজন্য দেখা যায়, ভাৰতেৰ অনেক মন্দিৰে কেবল কৃষ্ণ মূৰ্ত্তিই প্ৰতিষ্ঠিত এবং একাল পৰ্য্যন্ত পূজিত হইতেছে। পৰবৰ্ত্তী অপ্ৰাচীন কালে অৰ্থাৎ ব্ৰহ্মবৈবৰ্ত্ত প্ৰচাৰেৰ কাল হইতে, অন্য কথায় ৰাধা শক্তিৰ আবিষ্কাৰ হওয়াৰ পৰ হইতে ৰাধা-কৃষ্ণ যুগল মূৰ্ত্তিৰ প্ৰতিষ্ঠা ও পূজা পদ্ধতি (অবশ্য বৈষ্ণব সমাজ বিশেষে) প্ৰচলিত হইয়াছে।

"উইলসন সাহেব ব্ৰহ্মবৈবৰ্ত্ত পুৰাণকে সৰ্ব্ব কনিষ্ঠ বলিয়াই ছাড়িয়া দিয়াছেন; কিন্তু বঙ্কিম বাবু গবেষণা কৰিয়া বলিয়াছেন—'এখন যে ব্ৰহ্ম-বৈবৰ্ত্ত প্ৰচলিত, না হইলেও অন্ততঃ একাদশ শতাব্দীৰ অপেক্ষাও প্ৰাচীন নহে।' পৰন্ত অনেকে আবাৰ প্ৰচলিত ব্ৰহ্মবৈবৰ্ত্তেৰ বয়স তত অধিক বলিয়াও স্বীকাৰ কৰে না। বঙ্কিম বাবুৰ কথা স্বীকাৰ কৰিলেও বৰ্ত্তমান ব্ৰহ্মবৈবৰ্ত্ত হিন্দু সমাজে ৭০০ বৎসৰেৰ বেশী পূৰ্ব্বে প্ৰচাৰিত হয় নাই।

"বঙ্কিম বাবু প্ৰভৃতি বিদ্বজ্জনেৰ ধাৰণা এই যে এই ব্ৰহ্মবৈবৰ্ত্ত পুৰাণেৰ উপৰ বিশ্বাস কৰিয়াই জয়দেব, বিদ্যাপতি, চণ্ডীদাস প্ৰভৃতি বৈষ্ণব কবিগণ ৰাধা-কৃষ্ণেৰ প্ৰেম বিষয়ক অনেকানেক উৎকৃষ্ট কাব্য ৰচনা কৰিয়া জগতে অক্ষয় কীৰ্ত্তি অৰ্জ্জন কৰিয়া গিয়াছে। ইহাৰ উপৰে প্ৰবন্ধ লেখক পাঠকদিগকে স্মৰণ কৰাইয়া দিতেছেন, কিঞ্চিদধিক চাৰিশত বৰ্ষ পূৰ্ব্বে বিখ্যাত চৈতন্যদেব এই পুৰাণেৰ (ভাগৱতেৰও) উপৰই সমধিক আস্থাবান হইয়া নিজেৰ ধৰ্ম্মজীবন ও ধৰ্ম্মসাধন প্ৰণালী সংগঠন

ও অনুমত ধৰ্ম্ম প্রচার করিয়া গিয়াছেন। তখন হইতেই তাঁহার অবলম্বিত ও তৎ প্রবর্ত্তিত পরকীয়া সাধন নিষ্ঠা বৃন্দাবনিরত পুরুষ ও সাধ্বী নারীর পক্ষে নিতান্ত অস্বাভাবিকী, এবং তাহা অনেক স্থলে বিপথ-প্রেরিকা হইলেও নব্য বৈষ্ণব সমাজের অনুষ্ঠেয় হইয়াছে। কেবল তাহাই নহে, পরবর্ত্তী কালে ঐ বৈষ্ণব সম্প্রদায়ে কৃষ্ণ অপেক্ষায়ও রাধা উচ্চতর আসনে প্রতিষ্ঠিত দেখা যাইতেছে।"

"পূর্ব্বে যে চৈতন্য-প্রবর্ত্তিত বৈষ্ণব সম্প্রদায়ের উল্লেখ করিয়াছি, তাহা হইতে চৈতন্যের জীবিত কালেই একটা ক্ষুদ্র দল পৃথক্ ভূত হইয়া ঐ চৈতন্যেই রাধা-কৃষ্ণের একত্র সমাবেশ বা আবির্ভাব বিশ্বাস করিয়া তাঁহাকেই ভগবান ও ইষ্টদেবরূপে স্বীকার পূর্ব্বক তাঁহার ভজন সাধনের প্রবর্ত্তনা করিয়া গিয়াছেন।"

অদ্বৈত আৰু নিত্যানন্দ চৈতন্যৰ ধৰ্ম্ম প্রচাৰত সহায়ক আছিল। চৈতন্যপন্থীৰ চৈতন্য অকল সেয়ে সম্প্রদায়ৰ ধৰ্ম্ম প্রবর্ত্তকেই নহয়, উপাস্যও। তেওঁৰ সম্প্রদায়ৰ বৈষ্ণৱে চৈতন্যক শ্রীকৃষ্ণৰ পূর্ণাৱতাৰ বুলি স্বীকাৰ কৰে আৰু সেই কথাৰ প্রমাণ দিবলৈ অনন্ত-সংহিতা নামৰ 'সংহিতা' এখনৰ বচনো মাতে। যেনে :—

"ধৰ্ম্মসংস্থাপনার্থয় বিহৰিষ্যামি তৈৰহম।
কালে নষ্টং ভক্তিপথং স্থাপয়িষ্যামহং পুনঃ॥
কৃষ্ণ চৈতন্য গৌৰাঙ্গো গৌৰচন্দ্রঃ শচীসুতঃ।
প্রভুর্গৌৰহৰির্গৌৰো নামানি ভক্তিদানি মে॥"

ইয়াৰ উত্তৰত চৈতন্যবিৰোধী ব্রাহ্মণ পণ্ডিতে কয়—বেদ, স্মৃতি, পুৰাণ আৰু প্রাচীন আৰু নব্য সংগ্রহকাৰৰ কোনো গ্রন্থত চৈতন্যাৱতাৰৰ প্রমাণ নাই, সেইদেখি তেওঁক বিষ্ণু বা আন কোনো অৱতাৰ বুলি স্বীকাৰ কৰিব নোৱাৰি। চৈতন্যীয়া বৈষ্ণৱে অনন্তসংহিতাৰ চোলোখ মতাৰ দৰে এওঁলোকেও তন্ত্ৰব্যাকৰৰ এনেবোৰ চোলোখ মাতে; যেনে : বটুকৰ প্রশ্নৰ উত্তৰত গণেশে কয় :— গণপতিৰুবাচ :

"স এষ ত্রিপুৰো দৈত্যোনিহতঃ শূলপাণিনা।
কৃপয়া পৰয়াবিষ্ট আত্মানন্তকৰোত্রিধা॥
শিৱধৰ্ম্ম বিনাশায় লোকানাং মোহহেতবে।
হিংসার্থং শিৱভক্তানামুপায়ান্ সৃজন্নহন্॥
অংশেনাদ্যেন গৌৰাখ্যঃ শচীগর্ভে বভুৱ সঃ।
নিত্যানন্দো দ্বিতীয়েন প্রদ্যুম্নীন্দ্ৰহাৱঃ॥
অদ্বৈতাখ্যস্তৃতীয়েন ভাগেন দনুজাধিপঃ।
প্রাপ্তে কলিযুগে ঘোৰে বিজহাৰ মহীতলে॥
সৰ্ব্বপাপযুতাঃ কেচিৎ বৈষ্ণৱাকাৰ ধাৰিণঃ।
সবলান্ বঞ্চয়ামাসু স্তন্মায়য়াংধতন্ত্ৰবিহ্বলমাম॥
প্রথমং বণয়ামাসুঃ সাক্ষাদ্বিষ্ণুঃ সনাতনম।
দ্বিতীয়মাতুলং শেষং তৃতীয়ন্তু মহেশ্বৰম॥"

গীৰ্ঘল হবৰ ভয়ত আমি আটাইবোৰ শ্লোক নিদি, তাৰ ভাঙনি তলত দিলোঁ : বটুক ভৈৰবে গণেশক সুধিলে,—ত্রিপুৰাসুৰ হত হলত তাৰ অসুৰ তেজ নষ্ট হল নে নাই মোক কোৱা। সকলো বিষয়ৰ সম্যকৰূপে জনা তোমাৰ নিচিনা নাই। গণেশে কলে—ত্রিপুৰ অসুৰ শিৱৰ দ্বাৰাই নিহত হবৰ পিছত, সি শিৱ-ভক্তসকলৰ অনিষ্ট কৰিবৰ নিমিত্তে অনেক উপায় অৱলম্বন কৰিলে। সি নিজক তিনি অংশত বিভক্ত কৰি গৌৰাঙ্গ, নিত্যানন্দ, অদ্বৈত এই তিনি ৰূপে অৱতীর্ণ হল আৰু নাৰীভাৱে ভজনৰ উপদেশ দি, ব্যভিচাৰী, ব্যভিচাৰিণী আৰু বর্ণ-সঙ্কৰৰ দ্বাৰাই পৃথিৱী পূর্ণ কৰি আকৌ শিৱৰ কোপানল উদ্দীপ্ত কৰিলে। তাৰ অনুগত অসুৰবোৰে মানুহৰ বেশ ধৰি সেই ত্রিপুৰৰ তিনি অৱতাৰক ভজনা কৰিলে। এইবোৰৰ ভিতৰত কোনো কোনো মহাপাতকী, কোনো কোনো অতিপাতকী আৰু কোনো কোনো সৰ্ব্বপাপত লিপ্ত আছিল, সিহঁতে বৈষ্ণৱ-বেশ ধাৰণ কৰি অনেক সৰল মানুহক মায়াৰূপ অন্ধকাৰত মুগ্ধ কৰিলে। সিহঁতে ত্রিপুৰৰ প্রথম অংশক সাক্ষাৎ বিষ্ণু, দ্বিতীয় অংশক শেষ স্বৰূপ, বলোৰাম আৰু তৃতীয় অংশক মহাদেৱ বুলি বিখ্যাত, কৰিলে।— দুইফলীয়া কথাৰ এনেবোৰ গঢ়।

(বাঁহী : ২১শ বছৰ, ১৮৫৪ শক)

মৃদং মাৰ্কা

এওঁৰ "মাৰ্কা" মৃদং। এওঁ আগেয়ে বঙলা মাত মাতিছিল। তাত সুবিধা নহল দেখি সনাই অসমীয়া মাত মাতিছে। আশাকৰোঁ আৰু নসলায়। অৱশ্যে সুবিধা অসুবিধাৰ ওপৰত সেইটো নির্ভৰ কৰে। শ্রীশঙ্কৰদেৱ, শ্রীমাধৱদেৱ, শ্রীদামোদৰদেৱ আৰু শ্রীহৰিদেৱক বৈষ্ণৱ মহাপুৰুষ বুলি জগতে জানে। এওঁৰ মতে তেওঁলোক মহাপুৰুষ হোৱাটোতো দূৰৰ কথা, বৈষ্ণৱেই নহয়। সেইদেখি এওঁক 'বোষ্টম' বোলা গল। বঙ্গদেশত বোষ্টম কাক কয় সকলোৱে জানে। শ্রীশঙ্কৰদেৱৰ প্রচাৰিত ভক্তি হেনো 'বিদ্ধাভক্তি' অর্থাৎ সেই ভক্তিত বিদ্ধা আছে। এওঁ সেই বিদ্ধাৰ সুৰুঙাত সোমাই লৈ উঁইপৰুৱাই মাটি তুলি হাফলু কৰা দি তর্ক আৰু বিচাৰৰ হাফলু তুলিছে আৰু তেওঁৰ মৃদঙত চপৰিয়াই কৈছে—"চা, মই কেনেকৈ ওপৰত কোৱা বিদ্ধাই দি সোমাই হাফলু তুলিছোঁ।

এতেকে তইঁতে মোক ডাল 'বোষ্টম' উঁইপকৰা বুলি নামানিবি কিয় ?" হাতীৰে সৈতে এই উঁইপকৰা পোকটোক বিজাৰলৈ গলে কব পাৰি এনেকৈ :—তাহানি বিলাতত গ্লেড্ষ্টোন যেতিয়া মধ্যাহ্ন-সূৰ্য্যৰ দৰে উজ্জ্বল, উইন্ষ্টোন চৰ্চচহিলৰ বাপেক ছাৰ ৰেণ্ডল্ফ চৰ্চ্চহিলৰ মনত বিখ্যাত হবৰ ওখ-আশা এটা উপজিল। তেওঁ ভাবিলে তেনে হবলৈ হলে, গ্লেড্ষ্টোনক পাৰ্লামেণ্ট মহাসভাৰ বাহিৰে-ভিতৰে ধৰি দকচি গালি পাৰিলে, সেই আশা শীঘ্ৰে পূৰণ হব। বেচেৰাই তাকে কৰি নাম কৰিছিল। মৃদং-মাৰ্কাৰো মনত সম্ভৱত: তেনে ambition ওখ-আশাৰ "পয়দা" হল। তেওঁ লৰাক "বি-এল এ-ৱে' পঢ়াবলৈ এৰি শ্ৰীশঙ্কৰদেৱক গালি পৰা কাৰ্য্যটো ধৰিলে, যাতে দহৰ চকুত তেওঁ পৰে। বুধিয়ক বপূৰা হল একেবাৰেই বঙালী "গৌড়ীয় মঠৰ" "হিজ মাষ্টৰ্ছ ভইছ।" আৰু তেওঁ "ৰবিছ্" লেখা আৰু বাক্য-বচনৰ সোঁত বোৱাই দিলে। সাধাৰণ অমুক-তমুকে মুখখন আঁ কৰি চাই ৰ লাগি থাকি ভাবিছে—"আ: মানুহজন কি পঁড়িত।" আমিও কওঁ, পঁড়িততো। গল্ডস্মিথৰ ভিলেজ স্কুল মাষ্টৰৰ কথা আমাৰ মনত আছে। সেই দেখি আমিও ভাবি অবাক হৈছোঁ, যে কেনেকৈ তেওঁৰ সেই অকণিমান মূৰৰ ভিতৰত ইমানবোৰ "ইল্লিম" সুমালে ? তথাপি আমি পঁড়িতক কওঁ, পঁড়িতে নুশুনিলেই বা ;—

"শুনলো পণ্ডিত। শুনলো পণ্ডিত।
হৰিকথা সেৱা ৰসে থিৰ কৰু চিত।
অনন্ত নিগম-বন গহন অপাৰ,
ভৈল ক্ষীণ নিত্যে অৰ্থ কৰিতে বিচাৰ।
তোক দেখি মনদু:খ লাগয় হামাৰ।
কৰিয়ো সাদৰ ইটো উপদেশ সাৰ ॥"

পণ্ডিতৰ বঙ্গদেশীয় গুৰু চৈতন্য মহাপ্ৰভুৰ বৰ্ত্তমান কালত দ্বিতীয় অৱতাৰজনৰ নাম আৰু উপাধিটো একে উশাহতে মাতি ওৰকে পেলাব নোৱাৰি বুলি আমি আগেয়ে কৈছিলোঁ। যথা, "নৱদ্বীপধাম শ্ৰীশ্ৰীবিশ্ববৈষ্ণৱ ৰাজসভাৰ পাত্ৰৰাজ শ্ৰীশ্ৰীমদ্ভক্তি সিদ্ধান্ত সৰস্বতী গোস্বামী মহাৰাজ।" অৱশ্যে এই মহাৰাজৰে সৈতে আমাৰ খবিয়াল নাই ; কাৰণ তেওঁৰ ৰাজ্যত তেওঁ একছত্ৰ ৰাজত্ব কৰক। আমি সেই ৰাজ্যৰ প্ৰজাও নহওঁ, গতিকে বিদ্ৰোহী দলতো আমাৰ নাম নাই। কিন্তু তেখেতৰ প্ৰতিনিধি বা "ভাইছৰয়" এই মৃদং-মাৰ্কাৰে সৈতেহে আমাৰ অলপ খকাখুন্দা লাগিছিল। মহাৰাজে ভাইছৰয়ক আশীৰ্ব্বাদ কৰি যি চিঠি লিখিছে, তাৰ পৰা শাৰীদেক তুলি দিলোঁ।

"স্নেহ বিগ্ৰহেষু,—

শ্ৰীমন্মহাপ্ৰভুৰ প্ৰকটকালে আসাম প্ৰদেশে শুদ্ধ ভক্তিৰ কথা প্ৰচাৰিত হইয়াছিল। কিন্তু উহার পৰবৰ্ত্তি সময়ে মলিনতাৰ চিত্ৰ বৰ্ত্তমান কালেও দেখা যায়। মহাবদান্য শ্ৰীকৃষ্ণ প্ৰেমদাতা মহাপ্ৰভু শ্ৰীকৃষ্ণ চৈতন্যদেবেৰ অনুকূলে ইচ্ছাক্ৰমে আসামদেশে সেই শুদ্ধ ভক্তিৰ কথাৰও চিন্ময়ভাবেৰ কথাৰ তপন ৰশ্মি আপনাৰ সাহায্যেই আপনাৰ উদ্‌যোগেই কিছুদিন হইতে বিকীৰ্ণ হইতেছে।

এখনে আসামীয়া ভাষাভিজ্ঞ জনগণেৰ শুদ্ধভক্তিৰ কথা শুনিবাৰ সুযোগ দিতে গিয়া আপনি "কীৰ্ত্তন" আৰম্ভ কৰিয়াছেন। তাহাতে যাদৃশ নগণ্যেৰ কথা ও চিত্ৰ প্ৰদৰ্শন কৰিয়া দুই প্ৰকাৰ ফল সাধন কৰিতেছেন। লজ্জাহীন আমি প্ৰতিষ্ঠাবশে আপনাদেৰ নিকট সৌখ্যসম্বৰ্দ্ধন লাভ কৰিয়া আত্মশ্লাঘান্বিত হইতেছি। কিন্তু যখনই বিশুদ্ধ হৰিকথা "কীৰ্ত্তনে" ধ্বনিত হইতেছে ও হইবে, মনে কৰিতেছি, তখনই আমাৰ প্ৰতিষ্ঠাশা সংগ্ৰহেৰ ধৃষ্টতাকেও আৰ স্তব্ধ কৰিতে চাইনা।"

আমিও কওঁ নালাগে "শুদ্ধ" কৰিব আৰু লজ্জিত হববো সকাম নাই। "শ্ৰীপাদ মৃদং-মাৰ্কা" সহায় ; ভয় নাই। আমি বুজিছোঁ যে শ্ৰীপাদো তেনেকুৱা কিবা 'সুদূৰেৰ পিয়াসী'। মৃদঙ্গত টোকৰ মাৰোঁতেই "দাসৰ" ঠাই "শ্ৰীপাদে" আৰু আস্পদেষুৰ ঠাই "বিগ্ৰহেষু"ৱে এতিয়াই অধিকাৰ কৰিলে। mind you, কাঠ কাটি বা শিল কাটি, প্ৰতিমা সাজি দৌল বা মন্দিৰত সেই প্ৰতিমা আনি, তাত প্ৰাণ-প্ৰতিষ্ঠা কৰিলেহে সেই প্ৰতিমা বিগ্ৰহ হয়,—যেনে "ৰাধা-মাধৱ বিগ্ৰহ" আমাৰ কপলীয়া মৃদং-মাৰ্কাৰ মৃদঙ্গত দ্বিতীয় টোকৰ পৰিলতে তেওঁ বিগ্ৰহৰ শাৰীলৈ উঠিল। আমাৰ চৰকাৰৰ ঘৰেও উপাধি-বৃষ্টিত এওঁলোকক ঘলে নোৱাৰিব। আমি কৈছোঁ শুনি থোৱা। বোলোঁ আৰু শুনি থোৱা যে আৰু বছৰচেৰেকৰ মূৰত ৰেলৰ ইঞ্জিনৰ পিছত একোখন "ৱেগন" অৰ্থাৎ "ডাব্বা" যোৰোৱাৰ দৰে, এওঁৰ নামৰ পিছত ইমানবোৰ "ডাব্বা" জোৰা খাব যে এওঁৰ নামৰ গোটেইখন ৰেলগাড়ীৰ পিছত জোৰা "ব্ৰেকভান" খনত এজন "গাৰ্ড" নাথাকিলে accident অৰ্থাৎ আকস্মিক দুৰ্ঘটনা অনিবাৰ্য্য। উপাধি পিপাসাটো বেয়াই বা কি ? বাপেক-মাকে পুতেকক কেতিয়াবাই নাম এটা দিলে। তাৰ উপৰি সেই দত্ত বস্তুৰ তত্ত্বাৱধান কৰিবলৈ বা তাৰ জীৰ্ণ-সংস্কাৰ কৰিবলৈকো তেওঁলোকে নাথাকি কেতিয়াবাই মৰি গুচি গল। সেই নামটোৰে এনে কি বিবাহ বন্ধন যে হিন্দু "ল"ত তাৰ "ডাইভোৰ্চ" অৰ্থাৎ বিচ্ছেদ নাই। তেন্তে ইচ্ছামতে নতুন একাধিক নাম আৰু উপাধিৰ পাণিগ্ৰহণ কৰাত বাধা কি ? হিংসাকুৰীয়া মানুহে অৱশ্যে কোৱা শুনিছোঁ, যে মৃদং-মাৰ্কাই নিজৰ

পাদপদ্মত "শ্ৰীপাদ" নামৰ খৰৰ এবোৰ পিন্ধি খটখটাই গাঁৱে-ভূঁয়ে ফুৰি, নিজক ওফোলাই গণ্ডা-টোপটো যেন কৰি আৰু সেই খবৰ শুনি প্ৰজা মূৰ্চ্ছিত হবৰ নিমিত্তে তেওঁৰ মৃদঙৰ দুই মুখত নথৈ চাপৰিয়াইছে। আৰু শ্ৰীড়াৰূপী ৰামচন্দ্ৰক চৈধ্য বছৰলৈ বনবাস দি জগতে সংকোচৰূপী লক্ষ্মণ আৰু সুৰুচিৰূপিনী সীতাদেৱীকো পঠিয়াইছে। এনে হিংসাকুৰীয়া মানুহৰ কথা অৰণ্যে প্ৰণিধানৰ অযোগ্য। ৰামচন্দ্ৰক বনলৈ পঠিয়ালেও, আমি হলে সীতাদেৱীক যাবলৈ নিদিওঁ। লক্ষ্মণকো ৰাখিবলৈ প্ৰাণপনে চেষ্টা কৰিম আৰু কম—

"এ মেৰে লচ্‌মন্ বেৰাদৰ‚।
বন্‌কু যানা ছোড়ে দে।

ঘৰ্‌মে খানা দুধ মালাই,
বন্‌মে শোনা গাছ উপৰ,
এ মেৰে দিল্‌কে পেযাৰে,
বন্‌কু যানা ছোড়ে দে।"

যেনালি কৰিবলৈ এৰি কওঁ যে আচৰিত কথা, আমাৰ নামনি অসমৰ কোনো কোনো লোক আজিও এনে লোকৰ সভালৈ যায়। তেওঁলোকে ভাবি চোৱা নাই যে যত নিজ গুৰু পিতৃ ইষ্টদেৱৰ নিন্দা হয়, বৈষ্ণৱৰ নিন্দা হয়, তাৰ পৰা কাণত আঙুলি দি উঠি অহাটোহে শাস্ত্ৰৰ ব্যৱস্থা। তেওঁলোকে জানেই, তথাপি আমাৰ কীৰ্ত্তন-ঘোষা শাস্ত্ৰৰ সেই কেইফাকি তুলি তেওঁলোকক সোঁৱৰাই দিওঁ :—

"মূৰ্খ হুয়া বোলে মই পণ্ডিত।
নষ্ট কৰি ফুৰে আনৰো চিত॥
বৈষ্ণৱ-নিন্দাক কৰ্ণে শুনিয়া।
নুগুচে কাণত অঙ্গুলি দিয়া॥
সমস্ত পুণ্য নষ্ট হোৱে তাৰ।
নৰকত পৰে নাহি নিস্তাৰ॥
বিষ্ণু-বৈষ্ণৱক কৰে ধিক্কাৰ।
কাটিবে আণ্টিল জিহ্বাক তাৰ॥
শাস্তি কৰিবাক যেবে নপাৰি।
গুচিবে কাণত অঙ্গুলি গাৰি॥
নিন্দা শুনি যদি তৈৰ নুগুচে।
কল্পেক মান নৰকত পচে॥
যাইবাক যদি নাই আন থান।
তথাতে এড়িব আপোন প্ৰাণ॥
তেবেসে হোৱে প্ৰায়শ্চিত্ত অতি।
দক্ষৰ যজ্ঞত কহিলা সতী॥"

শ্ৰীশঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্ম—

ৰাজা-প্ৰজা জানিলেক ভক্তি-পথ
শঙ্কৰৰ মত শুদ্ধ।
সিটো মত কাড়ি আন আচৰয়
পৰৰ সিটো মুগুচ॥

আপুনি পণ্ডিত নুহি মহন্তক
নোপাসিলে কদাচিত।
তথাপিতো গুৰু বোলাৱে কৃষ্ণৰ
মায়ায়ে হুয়া মোহিত॥

হৰি হৰি হৰি কিনো ভৈল ইটো
কৃষ্ণৰ মাযাৰ বল।
হৰিভকতিৰ পথত কপট
পাতিলেক অমঙ্গল॥
শাস্ত্ৰৰ বিচাৰ নাজানে ভকতি
পৰমাৰ্থ অতি মূঢ়।
হৰি-কথা ছলে কৰ্ণত কুমন্ত্ৰ
কহয় কৰিয়া গূঢ়॥

মজাৰ কথা এইটোহে যে এই 'পণ্ডিত" 'শ্ৰীপাদ' বোষ্টমজনে নিজৰ "বক্তৃতাৰ" সমৰ্থনৰ অৰ্থে শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ বিৰচিত পুথিৰ পদ ভুৰি ভুৰি ব্যৱহাৰ কৰে আৰু যেই নিজৰ মতলব সিদ্ধি হল বুলি ভাবিলে, তেওঁ-লোকক অবৈষ্ণৱ ফবৈষ্ণৱ মুখত যি আহে তাকে বুলি বী-বিযায। "শ্ৰীপাদৰ" এই কাৰ্য্যটি দেখিলে "Devil quoting the Scripture" বোলা চলিত কথাষাৰলৈ মনত নপৰে নে ?

আমি আমাৰ সাধু সন্ত বৈষ্ণৱসকলক সবিনয় অনুৰোধ কৰোঁ যেন তেনে সভাত তেওঁলোকে ভৰিকে নিদিয়ে। শ্ৰীশঙ্কৰদেৱৰ ধৰ্ম্ম এতিয়া এনে পণ্ডিতে আৰু কি বিচাৰ কৰিব ? সেই বিচাৰখন তেওঁলোকে নিজৰ ভিতৰতে কৰি যি পাৰে বী-বিয়াই থাওক। শ্ৰীশঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্ম খপা-সোণ। "তৰ্কশাস্ত্ৰ মহাব্যাঘ্ৰী" আৰু বাঘিনীৰ গিৰিযেকে যি মন যায় গুজৰিগুমৰি থাকক, তালৈ কাণ দিয়াটো উচিত নহয়। আচলতে এই বাঘ-বাঘিনী ব্যাঘ্ৰ নহয়, বাঘৰ ছালৰ মোটত সোমোৱা এটি আন জাতৰ প্ৰাণীহে। তেওঁ অলপ ডাঙৰ হব খুজিছে, হওক। তাৰ উপৰি ইংৰাজীৰে কবলৈ গলে He is a new convert with all his fanaticism and zeal. সেইদেখি আচৰিত মানিবৰ কথা নহয়। কালাপাহাৰে কি নকৰিলে ?

মুঠতে বৃদং-মাৰ্কা অতি ভদ্ৰলোক, প্ৰকৃত "বোষ্টম" তৃণাদপি সুনীচ, আৰু তৰোৰিব সহিষ্ণু। তেওঁ তেওঁৰ বিপক্ষৰ প্ৰতি কেতিয়াও অশিষ্ট ভাষা প্ৰয়োগ নকৰে। মুখৰ কথা কবলৈ লাজ নকৰোঁ, যে তেওঁৰ বিপক্ষ আমিয়েই। সেইদেখি আমাৰ

প্ৰতি 'শ্ৰীপাদে' কেনে সুশীলা ভাষা প্ৰয়োগ কৰিছে, তাৰে দুটা চাইটা নমুনা তলত দিলোঁ :

(১) "বেজবৰুৱা ডাঙৰীয়াই এই সুদীৰ্ঘ কাল কোনো বৈষ্ণৱ গ্ৰন্থ আলোচনা কৰা নাই। Ignorance is bliss বুলি তেওঁ নিজক প্ৰতাৰণা কৰিব পাৰে, কিন্তু আনক তেনে কৰিবলৈ যোৱা নীতি-বিৰুদ্ধ। বেজবৰুৱা ডাঙৰীয়াই যি সিদ্ধান্তৰ ওপৰত শঙ্কৰদেৱৰ বৈষ্ণৱতা প্ৰতিষ্ঠিত কৰিছে, তাৰ পৰাই নিঃসন্দেহে কব পাৰি যে কোনেও তেওঁৰ ছাৰ্টিফিকেটৰ বলেৰে বৈষ্ণৱ হবলৈ গলে ঘৰ বিপদত পৰিব।" (Beautiful। —বেছা)

(২) "চৈতন্য মতৰ দৰে উৎকৃষ্ট মত জগতত নাই। 'চৈতন্য যেই কহে সেই মত সাৰ। আৰ যত মত সব ছাৰখাৰ।' এই কথা অনুমাত্ৰও অতিৰঞ্জিত নহয়।"

মৃদং-মাৰ্কা মহাশয় নিত্যানন্দ মহাপ্ৰভুৰ দ্বিতীয় অৱতাৰৰূপে অসমত প্ৰকাশিত হবলৈ থাকি পলম নাই। ভ্ৰূণ প্ৰায় সম্পূৰ্ণ developed। সেই দেখি সাৱধানে কথা কম, কাৰণ ভ্ৰূণহা হৈ পাপ আৰ্জিবৰ আমাৰ মন নাই। চৈতন্য মহাপ্ৰভুৱে আজ্ঞা দি সন্ন্যাসী নিত্যানন্দক বিয়া কৰোৱাই দিছিল। কলিকতাৰ দ্বিতীয় চৈতন্যাৱতাৰৰ আজ্ঞাত শ্ৰীযুত নবেশ্বৰ দাস, নিত্যানন্দ মহাপ্ৰভু প্ৰায় হলেই বুলিব লাগে। এইবোৰ মহাপ্ৰভুৰ লীলা।

(৩) "চৈতন্য প্ৰসাদে ভাগৱত জানি।
চৈতন্য যে নামানে তাৰে দৈত্য মধ্যে গণি॥
চৈতন্য ধৰ্ম্মত কোনো সাম্প্ৰদায়িকতা নাই। ই চেতনৰ ধৰ্ম্ম জীৱ মাত্ৰৰেই ধৰ্ম্ম।"

চৈতন্যৰ ধৰ্ম্মত সাম্প্ৰদায়িকতা নাই শুনি সুখী হলোঁ। চৈতন্যৰ ধৰ্ম্ম নমনাবোৰ যে দৈত্য সেইটো শুনি কিন্তু আমাৰ ভয় লাগিছে। "চেঞ্চাচু" কিতাপৰ পাত এটা মেলিলেই দেখিবলৈ পোৱা যায় যে চৈতন্যৰ ধৰ্ম্ম নমনা দৈত্যৰ লেখ কিমান সৰহ আৰু সেই দৈত্যবোৰৰ টিঙিলঙিলনি কিমান বেছি। এতেকে এই কোটী কোটী দৈত্যৰ ভিতৰত আমি থাকোঁ কেনেকৈ তাকেহে ভাবিছোঁ। আশা কৰোঁ দৈত্যবোৰ Cannibal নহয়। তথাপি হে দৈত্যাৰি! হে মধু কৈটভাৰি! হে অঘ-বক কেশী-কংসাৰি! "আমাৰ গতি কি হবে?"

(৪) "বেজবৰুৱা ডাঙৰীয়াৰ চৈতন্য-বিৰোধ সঙ্কীৰ্ণ মনৰ পৰিচায়ক।"

সেইটোতো বুজিলোঁ আৰু বুজিলোঁ, তেওঁ সেইবাবে দৈত্যও। কিন্তু তেওঁক শাপ দি এৰিলে চলিব কেনেকৈ হে ভ্ৰূণ-নিত্যানন্দ প্ৰভু! আপোনাৰ আগৰজনে অৰ্থাৎ ১নং নিত্যানন্দই জগাই-মাধাইৰ হাতত মাৰ খায়ো সিহঁতক উদ্ধাৰ কৰিলে। আপুনি-নো আমাক দৈত্য হ বুলি শাপ দিয়েই এৰিব নে? বৈকুণ্ঠনাথে জয়-বিজয়ক কৈছিল :—

"হেন জানি হয়ো দুয়ো দৈত্য।
ভকতৰ ভয় আছে কৈত?
বৈৰভাৱে চিন্তিবাহা মোক।
অল্পকালে পাইবা এহি লোক॥"

এতিয়াও যদি আমি এই অসমীয়া দুই নৰৰী নিত্যানন্দক বৈৰভাৱে চিন্তিছোঁ, আশা কৰোঁ তেওঁ আমাক উদ্ধাৰ কৰিব।

(৫) "বেজবৰুৱা ডাঙৰীয়াৰ মুখে ধৰ্ম্ম কথা বহুত শুনা হৈছে। শুনি বুজিব পাৰিছোঁ যে তেওঁ এজন সুবিধাবাদী। তেওঁ 'যেহি আসে তাকে কয়'।

দুই নৰৰী প্ৰভুৱে দেখিছোঁ আমাক চিনি পেলালে। এতেকে আমাক উদ্ধাৰ কৰিবলৈ যেন তেখেতে একো কেকোজেকো নকৰে। চৈতন্য প্ৰভুৱে এইজন প্ৰভুৰ হাতত দিয়া গজ-মাৰিডালেৰে ভূখিলত বেজবৰুৱাৰূপী "লংক্লথৰ" থানটোত কাপোৰ কম ওলাল। মনমতি বেজবৰুৱাই সেই কেইগজ কাপোৰ নিশ্চয় চুৰ কৰিলে। যি হওক জগাই-মাধাইৰ উদ্ধাৰকে সেই বাবে তেওঁক এৰি থৈ নাথায় যেন।

(৬) "মেকুৰীৰ পোৱালিৰ দৰে শঙ্কৰদেৱক বেজবৰুৱা ডাঙৰীয়াই লুকাই লৈ ফুৰে কিয়? তেওঁৰ মত আলোচনা কৰিবৰ অধিকাৰ সকলোৰে আছে।"

আমাৰ শ্ৰীশঙ্কৰদেৱ "মেকুৰীৰ পোৱালি!!!" মধ্যাহ্ন সূৰ্য্য যেন প্ৰদীপ্ত শ্ৰীশঙ্কৰদেৱক বেজবৰুৱাই মেকুৰী-পোৱালিৰ মাকে পোৱালিটো মুখেৰে কামুৰি লৈ গৈ লুকাই ফুৰা দৰে হেনো লুকাই লৈ ফুৰিছে। হে দ্বিতীয় নিত্যানন্দ মৃদং-মাৰ্কা "শ্ৰীপাদ সেৱাতীৰ্থ" পণ্ডিতপ্ৰবৰ নবেশ্বৰ দাস। তোমাৰ বৈষ্ণৱ জনোচিত শিষ্টাচাৰ আৰু ভদ্ৰবাক্যত আমি সন্তুষ্ট হলোঁ। তুমি শৈৱ নহয়, বৈষ্ণৱ বুলি কৈছা। এতেকে তুমি ভাং নোখোৱা বুলি ধৰি লৈছোঁ। মুঠতে তোমাৰ মুৰৰ বেমাৰ হব পাৰে। আৰু তোমাৰ মুখখনো ৰৱকৈ বাঢ়িছে।

(৭) "গকন্তো অধম এইবিলাক মানুহে বৈষ্ণৱৰ অনুগত্য স্বীকাৰ কৰি কৃষ্ণভক্তি অনুশীলন কৰিবলৈ তেনেই অযোগ্য। বেজবৰুৱা ডাঙৰীয়াই এইটো অসমীয়াৰ ধৰ্ম্ম, সেইটো বঙালীৰ ধৰ্ম্ম

বুলি যি গোখৰ বৃত্তিৰ পৰিচয় দিছে, তাৰ দ্বাৰাই তেওঁৰ ভাগৱত অনুশীলনৰ অযোগ্যতাই সপ্ৰমাণিত হৈছে।"

চৈতন্যীয়া ধৰ্ম্মৰ সখীভাবাপন্ন নিমাই দাসৰ এইখন আমালৈ লেখা Love-Letter অৰ্থাৎ প্ৰেমপত্ৰ। এতিয়া বৃন্দাক পালেই আমাৰ কাৰ্য্য সিদ্ধি হয়। পালেই কম—

"ওগো বৃন্দে দূতী, ৰাখহে মিনতি,
বারেক রাধায়,
বল গিয়ে তায়,
আজ নটবর কুঞ্জে হবে স্থিতি।"

সেহত কওঁ যে আমি এই প্ৰবন্ধটো মৃদং-মাৰ্কাৰ প্ৰতিবাদ স্বৰূপে লেখা নাই। সেই মাৰ্কাবে সৈতে আৰু মুখচুপতি নামাবোঁ। বুলি আমি থিবাং কৰি থৈছোঁ। তেওঁৰ কু-যুক্তি আৰু কু-তৰ্কৰ উত্তৰ আমি কাহানিবাই দি থৈছোঁ। আজি তেওঁৰ অসমীয়া কুঁৱলীৰ উত্তৰ মাথোন চোকা ব'দ। গাঁৱে-ভুঁয়ে কত মৃদং বাজিছে, কত মৃদং ফুটিছে, কোনে তাৰ ভু লবলৈ গৈছে। এই মৃদং-মাৰ্কা শিশুপালৰ আচল ব্যৱস্থা কৰোতাজনে কৰিব। আমি আমাৰ নামনি অসমৰ নমস্য সন্ত-সাধু বৈষ্ণৱসকলৰ জ্ঞাতাৰ্থে-হে এই কেইষাৰ কথা লেখিলোঁ। শ্ৰীশঙ্কৰদেৱৰ নিন্দা, পৰমহংস ৰামকৃষ্ণদেৱৰ নিন্দা, মৃদঙীয়াই যি পাৰে কৰি থাকক, কিন্তু "বিচাৰ" নাম দিয়া অবিচাৰৰ চাকোনৰ তলত থোৱা তেনে গুৰুনিন্দা শুনিবলৈ তেওঁলোক যেন নাযায়। "Herculis will do what he may. Let the cat mew and the dog have his day." আৰু আজি এই কুৰি শতিকাত যি কালত শিক্ষিত আৰু উদাৰ মনৰ সকলো মানুহে সকলো ধৰ্ম্মতে সত্য আৰু সামঞ্জস্য দেখিছে আৰু প্ৰত্যেক ধৰ্ম্মকে গীতাৰ সেই মহাবাক্যৰ মৰ্ম্ম—"স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ পৰধৰ্ম্ম ভয়াবহ" হৃদয়ঙ্গম কৰিছে; এনে কালত চৈতন্যৰ ধৰ্ম্ম নধৰাসকলে দৈত্য দানৱ, ৰাক্ষস, পিশাচ, বোলা গালি খাই হাঁহিবৰে কথা। উত্তেজিত ব্ৰাহ্মণ কালাপাহাড়ে কি নকৰিছিল, কি নকৰিছিল?

মৃদং-মাৰ্কা কিন্তু বৰ টেঙৰ। সকলো ধৰ্ম্মৰ ওপৰত তেওঁ একো একোবাৰ টাঙোন জোকাৰিছে, খৃষ্টৰ ধৰ্ম্মৰ ওপৰতো; কিন্তু মছলেম ধৰ্ম্মৰ বেলিকা "চুপ"। "বেঁচে থাকলে বাবার নাম।" "হৰে তাঁতী"য়ে তাঁত বৰলৈ এৰি "এঁড়ে গৰু" কিনিলেও তাৰ পিঠিৰ ছাল কেনেকৈ অটুট ৰাখিব লাগে জানিছিল।

(বাঁহী: ২১ বছৰ—১২শ সংখ্যা, চ'ত ১৮৫৪শক)

সাম্প্ৰদায়িক সঙ্কীৰ্ণতা

(১)

"কামৰূপ মহাপুৰুষীয়া ধৰ্ম্মালোচনী সভাৰ" সম্পাদকে আমালৈ "বৈষ্ণৱ ও বিষ্ণুপূজক" নামৰ বঙলা কিতাপ এখন তাৰ লগতে কিছুমান চিঠি-পত্ৰৰ নকল পঠাই সেই বিষয়ে আমাৰ মতামত সুধি পঠিয়াইছে। কিতাপখনত বৈষ্ণৱ ধৰ্ম্মৰ বিষয়ে আলোচনা কৰাৰ ছলতে আমাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু তেওঁৰ প্ৰচাৰিত মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মক অতি জঘন্যভাৱে আক্ৰমণ কৰা হৈছে। "কামৰূপ মহাপুৰুষীয়া সভাই" সেইদেখি সভাৰ ত্ৰয়োদশ অধিবেশনত প্ৰস্তাৱ ধাৰ্য্য কৰি সভাৰ সম্পাদক শ্ৰীযুত হলিৰাম মহন্ত ঠাকুৰক বিহিত প্ৰতিকাৰ কৰিবৰ ভাৰ দিয়াত সম্পাদকে সেই কিতাপত থকা আপত্তিজনক কথাবোৰ দেখুৱাই প্ৰকাশক দুজনলৈ এখন চিঠি লেখিছিল; যাৰ চমু মৰ্ম্ম এই:—তেওঁলোকে তেওঁলোকৰ প্ৰকাশিত কিতাপৰ পৰা শ্ৰীশঙ্কৰদেৱ আৰু মহাপুৰুষীয়া ধৰ্ম্মৰ গ্লানি আৰু নিন্দাবাদবোৰ তুলি গুচাই দি দেখা-শুনাকৈ ক্ষমা প্ৰাৰ্থনা কৰক, নকৰে যদি তেওঁলোক দুজনৰ বিৰুদ্ধে আদালতৰ আশ্ৰয় লোৱা যাব। এই চিঠিৰ উত্তৰত প্ৰকাশক দুজনৰ এজনে সভাৰ সম্পাদকলৈ লেখিছে:—

"মহাশয়,

'বৈষ্ণৱ ও বিষ্ণুপূজক' কিতাপখন সম্বন্ধে যি অভিযোগ কৰিছে সেই সম্বন্ধে মই কব খোজোঁ যে শ্ৰীযুত নৰেশ্বৰ দাস ডাঙৰীয়াই মোক নজনোৱাকৈ সেই কিতাপখনৰ প্ৰকাশক কৰিছে। সুতৰাং আপোনাৰ অভিযোগৰ উত্তৰ উক্ত ডাঙৰীয়াই দিব। কিন্তু তেওঁৰ নাম কিতাপখনত নথকাৰ কাৰণে কিম্বা প্ৰকাশক হিচাপে মোৰ বিটো দায়িত্ব আছে সেই সম্বন্ধে মই কব খোজোঁ যে এই কিতাপখনে যদি মহাপুৰুষীয়া সম্প্ৰদায়ক মনত কিবা আঘাত কৰিছে তেন্তে তাৰ নিমিত্তে মই বৰ দুঃখিত আৰু ভৱিষ্যতে এই কিতাপ ছপোৱা বন্ধ কৰি দিয়া হব। মই ইতিপূৰ্ব্বে কিতাপ লিখোতাৰ লগত সম্পৰ্ক ছিন্ন কৰিছোঁ। মোৰ নামটো প্ৰকাশকৰ পৰা উঠাই দিয়াৰ দিহা কৰিব ধৰিছোঁ। বাতৰি-কাকতত মই আৰু নেযাওঁ। আপুনি ইচ্ছা কৰিলে মোৰ উত্তৰ বাতৰি-কাকতত ছপাই দিব পাৰে। —ইতি

বিনীত
শ্ৰীযোগেন্দ্ৰচন্দ্ৰ নাথ
গোৱালপাড়া"

ওপৰৰ চিঠিখন পঢ়ি শ্ৰীযুত যোগেন্দ্ৰচন্দ্ৰ নাথ মহাশয়ৰ ব্যৱহাৰত আমি সন্তোষ পাইছোঁ। অৱশ্যে

তেওঁক নজনোৱাকৈ তেওঁৰ বিনা অনুমতিত তেওঁক প্ৰকাশক পাতোঁতাজনে লাজ পাইছে নে নাই কব নোৱাৰো ।

আনজন প্ৰকাশকৰ নাম শ্ৰীৰাধামোহন ব্ৰহ্মচাৰী। তেওঁৰ চিঠিখন তেজাল। তাৰ কাৰণ বোধকৰোঁ তেওঁ ব্ৰহ্মচাৰী মানুহ। সম্ভৱতঃ সৰুৰে পৰা তেওঁ ব্ৰহ্মচৰ্য্য ব্ৰতাচৰণ কৰি তেজ সঞ্চয় কৰি ৰাখিছে। গতিকে সি উৰ্দ্ধগ হৈ মূৰলৈ উঠিছে। অৱশ্যে এইটো আমাৰ অনুমানৰ কথাহে। যিহওক তেওঁৰ চিঠিৰ পৰা আষাৰচেৰেক তুলি দিলেই দেখা যাব, যে আমাৰ অনুমানৰ সপক্ষে সি অনেকখিনি যাব।

"আমরা সত্য কথা প্রচার দ্বারা জীৱসেবা ব্রত গ্রহণ করিয়াছি। শাস্ত্র-যুক্তি বিনা কেবলমাত্র কোন ব্যক্তি বা সম্প্রদায়ের অনুরোধ বা উপরোধে সত্যের পরিবর্ত্তন সাধিত হইতে পারেনা। ইহা আমার ভাল লাগেনা বলিয়াই পরিবর্ত্তন প্রার্থনা করা নিতান্ত ন্যায়বিরুদ্ধ। সত্য ধর্ম্মের প্রচারক শ্রীগৌরসুন্দরের বিরুদ্ধে বহু কথা আপনাদের লেখনিমুখে এযাবৎ প্রকাশিত হইয়াছে। * যে দোষে আমি নিজে দোষী সেই দোষে দোষী অপর আর একজনকে উহা ক্ষালন করিতে অনুরোধ করিতে যাওয়া যে বড়ই হাস্যকর ব্যাপার তাহা আপনাকে বোধহয় নূতন করিয়া বলিতে হইবেনা। শঙ্করদেবের মায়াবাদ দুষ্ট তাহা অতি স্পষ্ট। ইহা তাহার রচিত প্রত্যেক গ্রন্থ হইতে দেখান যাইবে। * ইহা ছাড়া বাঙ্গলার অতি প্রাচীন প্রামাণিক গ্রন্থে আমরা শ্রীঅদ্বৈত প্রভুর শাখা গণনায় আসামের শঙ্করদেবের নাম দেখিতে পাই। নির্ব্বিশেষবাদী বলিয়া তিনি শেষে শ্রীঅদ্বৈত প্রভু কর্ত্তৃক ত্যক্ত হইয়াছিলেন। তথাপি যদি আপনারা তাহার প্রচারিত মতকেই 'বৈষ্ণব মত' বলিয়া গায়ের জোরে স্থির করেন, তাহা হইলে ইহা একটা অভিনব বৈষ্ণব মত হইবে তাহাতে সন্দেহ নাই।

"তারপর বিশ্ব বৈষ্ণব রাজসভা নামে যে এক বিরাট বৈষ্ণব প্রতিষ্ঠান ভারতে রহিয়াছে তাহার বর্ত্তমান পাত্ররাজ বা সভাপতি ওঁ বিষ্ণুপাদ পরমহংস পরিব্রাজকাচার্য্য বর্ষ্যোষ্টোত্তর শত শ্রীশ্রীমদ্ভক্তিসিদ্ধান্ত সরস্বতী গোস্বামী মহারাজের নিকট গমন করিয়া বৈষ্ণব শাস্ত্র সিদ্ধান্ত শ্রবণ করিলে সমস্ত প্রকার সন্দেহের অবসান হইবে বলিয়া আমাদের দৃঢ় বিশ্বাস। * আমার অনুরোধ একটু বৈষ্ণবের সহিত আলাপ করিয়া দেখুন। কূপমণ্ডুকের অবস্থা ধর্ম্ম লাভে যে রূপ অন্তরায় অসৎ অহঙ্কার প্রবর্দ্ধনে সেই রূপ প্রবল কারণ। শ্রবণেই জ্ঞান লাভের একমাত্র উপায়। শ্রবণ ব্যতিরেকে কীর্ত্তন হয়না। শ্রবণ না করিয়া কীর্ত্তন করিতে যাওয়া ঘোড়া ডিঙ্গিয়ে ঘাস খাইতে যাওয়ার ন্যায় নিস্ফল।

বিনীত
শ্রীরাধামোহন ব্রহ্মচারী"

পাঠকে দেখিব এই ব্ৰহ্মচাৰীজনৰ গাত "অসৎ অহঙ্কাৰ" বুলি পদাৰ্থ এটি নাই। তেওঁ নিৰ্ভীক সত্যব্ৰত। আশাকৰোঁ এই ব্ৰহ্মচাৰী "পিলা"জনে তেওঁৰ গুৰুৰে সৈতে অচিৰিতে কাপ-মৈলাম লৈ নিৰ্ভীকভাৱে মছলেম ধৰ্ম্মৰ সম্পৰ্কেও তেওঁলোকৰ মন্তব্য প্ৰকাশ কৰিব। তৃণতকৈয়ো নীচ, তৰুতকৈও সহিষ্ণু শ্ৰীমন্ত শঙ্কৰদেৱ আৰু পৰমহংস ৰামকৃষ্ণদেৱৰ ওপৰতে বিহলঙনিৰ কোব কেইটা মাৰি ওকাইদাং মাৰি বৰবেজ সাজিলে কি হব?

শ্ৰীৰাধামোহনে মহাপুৰুষীয়া সভাৰ সম্পাদকক তেওঁৰ গুৰুদেৱৰ যাৰ বিপুল বিশাল নাম উপাধি তেওঁ ওপৰত দিছে—ওচৰলৈ যাবলৈ কৈছে। সম্পাদকে যথাবিহিত কৰিব। যোৱা-নোযোৱা তেওঁৰ ইচ্ছাধীন। আমি হলে সম্প্ৰতি কূপমণ্ডুক হৈয়েই থাকিম বুলি থিৰ কৰিছোঁ; বৰধলৰ ওচৰলৈ যাবৰ মন নাই—কৰবাত উঠিবৃৰি যাম বোপাইহে! এবাৰ আমি চিটাগং বা চট্টগ্ৰামলৈ গৈছিলোঁ। এদিন তাৰ বাটে বাটে ফুৰোঁতে এখন প্ৰকাণ্ড "ছাইনবোৰ্ড" দেখিলোঁ, এখন দোকানৰ সমুখত তৰা আছে। তাত সোণৰ পানী চৰোৱা খৰ ডাঙৰ ডাঙৰ আখৰেৰে লেখা আছে :—"জগদ্বিখ্যাত বিশ্ববিশ্ৰুত লুচিৰ দোকান"। স্বভাৱতে মনত কৌতুহল উপজিল। ভিতৰলৈ সোমাই গলোঁ, দেখিলো ছহাত মান দীঘল আৰু তিনিহাতমান বহল এটা খোঁটালীত এজন ডট্টীয়া মানুহ বহি আছে, আৰু পাচতে এটা পুৰণা ভগা আলমাৰি। তেওঁ মোক "আসুন আসুন কি চাই মহাশয়, কি রকম লুচি দিব"? ইত্যাদি কথাৰে আপ্যায়িত কৰি ভগা আলমাৰিটো মেলি খনচেৰেক জঘন্য লুচি উলিয়ালে আৰু কলে "এখানে জায়গা কম বলে, আমাদের সব জিনিষ ভিতরের গুদামে রাখা হয়েছে। মশায় দয়া করিয়া মিনিটদশেক বসিলেই গুদাম থেকে আরও লুচি এনে দেখাতে পারি।" মই দেখিলোঁ, আলমাৰিটোত মুঠেই পাঁচখন কি ছখন লুচি আছে। আৰু তাৰো অৱস্থা কাউৰী-শগুণে খোৱা। মই পিছত তেওঁৰ দোকানলৈ আকৌ আহিম বুলি লাহেকৈ ওলাই গুচি আহিলোঁ।

ভাৰতত চাৰিটি আদি বৈষ্ণৱ সম্প্ৰদায়ৰ প্ৰৱৰ্ত্তক ব্ৰহ্ম, ৰুদ্ৰ, শ্ৰী আৰু সনক। কিন্তু এওঁলোকৰ আগে পিছে ৰাধামোহন ব্ৰহ্মচাৰীৰ গুৰু সেই কোনোবা সিদ্ধান্ত সৰস্বতীৰ দৰে, একে উশাহে চন্দ্ৰাদিৰ নোৱৰা উপাধিৰ শোভাযাত্ৰা দেখা নাই। শঙ্ক-

ৰাত্ৰৰ নাৰদৰ আগে পিছেও কোনো উপসৰ্গ ওপজা নাই। দ্বাদশ বৈষ্ণৱ ব্ৰহ্মা, মনু, হৰ, কপিল, কুমৰ, শুক, ভীষ্ম, বলিও উকা। আন নেলাগে তেওঁৰ অদ্বিতীয় অভ্ৰান্ত একমেৱ বৈষ্ণৱ ধৰ্ম্মাৱতাৰ গোৰাৰ গাতো জোকাজোকে এনেবোৰ উপাধিৰ বিষয় বাসনা জোক ওলমাদি ওলমা আমি দেখা পোৱা নাই। অৱশ্যে আমাৰ শাস্ত্ৰজ্ঞান নাই, সেইদেখি ডাঠি কব নোৱাৰোঁ। কুৰি শতিকাৰ অৱতাৰৰ কথা॥ কিজানি এই অৱতাৰত নিত্যানন্দ প্ৰভু উপাধিৰ ডাঢ়ি-গোফ নোম চুলিৰে ভোবোকাৰ হৈয়ে উপজিবৰ কথা কোনোবা শাস্ত্ৰত আছিল কেনেকৈ কম? নিত্যানন্দ প্ৰভুৰ নাম কৈছোঁ। এইবাবে যে তেওঁ কৈছে তেওঁৰ গুৰুৰ মহাৰাজ হেনো নিত্যানন্দ প্ৰভুৰ অৱতাৰ। ইয়াৰ পিছতে চৈতন্য প্ৰভুৰ পুনৰাৱতাৰ দেখিবৰ নিমিত্তে প্ৰস্তুত হৈ ৰলোঁ। কাৰণ নিতাই গৌৰৰ ৰৱজন যেতিয়া ওলালহি সকুজন "বিৰাট বৈষ্ণৱ ৰাজসভাত" প্ৰৱেশ কৰিবলৈ আৰু সৰহ পলম নাই।

ব্ৰহ্মচাৰী ৰাধামোহনে অদ্বৈতশাখা গণোতে অসমৰ শঙ্কৰদেৱৰ নাম দেখিবলৈ পালে আৰু দেখিবলৈ পালে যে তেওঁ নিৰ্ব্বিশেষবাদী দেখি অদ্বৈতই তেওঁক এৰিলে। এই আবিষ্কাৰত আমি কৃতাৰ্থ হলোঁ। শ্ৰীশঙ্কৰদেৱে বঙ্গীয় বৈষ্ণৱৰ পৰা ধৰ্ম্ম পাইছিল বুলি শিক্ষিত বঙালীসকলে যে সদায় কৈ আহিছিল সেইটোৰ ওৰ পৰিল। এই-খিনিতে এটা কথা চাব লাগিল। অদ্বৈত নামজ্বলা লোক আৰু তেওঁৰ সম্প্ৰদায়ো তেতিয়া নামজ্বলা আছিল বুলিয়েই ধৰি লব পাৰি। তেওঁৰ সম্প্ৰদায়ৰ মত গুপ্ত নাছিল বৰং খোল-তাল হাতচাপৰি আৰু সঙ্কীৰ্ত্তনেৰে প্ৰকাশিত হৈ লোকৰ কাণত তাল মাৰি ধৰিছিল। শঙ্কৰদেৱে তেওঁৰ সম্প্ৰদায়ত সোমাৱৰ আগতে সেই মত নাজানিবৰ কোনো কাৰণ নাই। অদ্বৈতইও শঙ্কৰক নিজ সম্প্ৰদায় ভুক্ত কৰি লোৱাৰ আগতে শঙ্কৰৰ মত নিশ্চয় জনা বুলি ধৰিব লাগে, কাৰণ অদ্বৈত পণ্ডিত আৰু বিচক্ষণ মানুহ আৰু শঙ্কৰ-দেৱো (বৈষ্ণৱ হওক নহওক ৰাধামোহনৰ মতে নহয়) পণ্ডিত নিশ্চয় আছিল। সম্প্ৰদায়ৰ পৰা পৰিত্যক্ত কথাই পৰিত্যক্ত হোৱাৰ আগতে সম্প্ৰদায়ৰ ভিতৰত থকাটো প্ৰমাণ কৰে। মানুহ একে মতৰ নহলে একেটা দলত দলবদ্ধ নহয়। আনপক্ষে এনেকুৱাও হব পাৰে যে দুয়ো দুইকো convert কৰিবৰ অৰ্থাৎ পৰস্পৰৰ মতৰ পৰিবৰ্ত্তন সাধি নিজৰ মতলৈ আনিবলৈ চেষ্টা কৰিছিল, শেহত অকৃতকাৰ্য্য হৈ দুয়ো আঁতৰাআঁতৰি হ'ল। এই কথা সঁচা হলে ইয়াৰ দ্বাৰাইও শঙ্কৰদেৱৰ স্বাধীনতা আৰু শক্তিমত্ত-তাহে প্ৰকাশ পায়। কিন্তু নকৈ নোৱাৰোঁ। যে এইবোৰ বৈষ্ণৱ নামধাৰি চকুপোৱা বঙালীৰ বং দিয়া কথা, সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। যি হওক এইখিনিতে সঙুৰু ব্ৰহ্মচাৰী ৰাধামোহনক এটি ৰাতৰি দি থওঁ। সিদিনা এজনে আমাক কৈছিলহি, তেওঁ হেনো এখন সাঁচিপতীয়া পুৰণি পুথি পাইছে, য'ত লেখা আছে যে চৈতন্যদেৱ যেতিয়া তেওঁৰ জীৱনৰ শেহ ৰাৰ বছৰ পুৰীত আছিল তেতিয়া শিষ্যসকলে নজনাকৈ এবাৰ পলাই অসম পাইছিলহি। উদ্দেশ্য ধৰ্ম্মপ্ৰচাৰ। অসমত তেতিয়া শঙ্কৰ প্ৰচাৰিত ধৰ্ম্মৰ ধল। তেওঁ শঙ্কৰৰ ৰাজ্যতে অনধিকাৰ প্ৰৱেশ কৰা দেখি শঙ্কৰৰ শিষ্যসকলে তেওঁক খেদি নি হাদিৰা-চকীত থৈহে এৰিলে।

এই কথা কোৱা মানুহজনক আমি কলোঁ। যে তোমাৰ পথিৰ কথা অপ্ৰামাণিক। চৈতন্যৰ বঙালী শিষ্যসকলৰ কোনেও কতো লেখা নাই, মুখেৰেও কোৱা আজিলৈকে শুনা নাই যে চৈতন্য অসমলৈ আহিছিল। গতিকে তোমাৰ পুথিৰ কথা প্ৰামাণিক বুলি আমি ধৰিব নোৱাৰোঁ।। আমাৰ উত্তৰ শুনি তেওঁ কলে—"বাৰু একো কথা নাই, কিন্তু চৈতন্যীয়া বঙালীসকলে আমাৰ শঙ্কৰদেৱৰ সম্পৰ্কে এনে কিবা অপ্ৰামাণিককথা উলিয়াবলৈ গলে মই মোৰ সেই পুথি প্ৰকাশ কৰি দিব পাৰিম নে নোৱা-ৰিম?" মই কলোঁ, "পাৰিবা, কিন্তু বৈষ্ণৱে তেনে নকৰে।"

ইয়াৰ পিছত আৰু এখন ডাঙৰ চিঠি আছে, তাৰ লেখক শ্ৰীনিম্নানন্দ দাস। তেওঁ হেনো শ্ৰীশ্ৰী সনা-তন ধৰ্ম্মপ্ৰচাৰিণী সভাৰ সভাপতি, আৰু তেৱেঁই হেনো "বৈষ্ণৱ ও বিষ্ণুপূজক" কিতাপখনৰ ৰচক। তেওঁ স্বীকাৰ কৰিছে যে প্ৰকাশক দুজনৰ নাম তেওঁলোকৰ বিনা অনুমতিতে সেই কিতাপখনত প্ৰকাশক বুলি ছপাইছে। এই কথাই প্ৰকাশক শ্ৰীযুত যোগেন্দ্ৰ নাথৰ কথা সমৰ্থন কৰিছে। কিন্তু প্ৰকাশক ৰাধামোহন ব্ৰহ্মচাৰী এই বিষয়ে চুপ, যদিও তেওঁ "মহাপুৰুষীয়া সভাৰ" সম্পাদকৰ আগত এহালিচা অবান্তৰ বলকিবলৈ পাহৰা নাই। আমি কওঁ নিশ্চয় নিমানন্দৰ সেই কাৰ্য্য বৈষ্ণৱজনোচিত আৰু গৌৰাঙ্গ প্ৰণোদিত। কাৰণ তেওঁ জানে যে প্ৰচলিত আইন আৰু শিষ্টাচাৰ অনিত্য আৰু প্ৰাকৃতিক, নিত্য আৰু অপ্ৰাকৃতিক আইন আৰু শিষ্টা-চাৰহে "বিশ্ববৈষ্ণৱ ৰাজসভা" বুলি যি "এক বিৰাট বৈষ্ণৱ প্ৰতিষ্ঠান" ভাৰতত আছে আৰু যাৰ "বৰ্ত্তমান পাত্ৰৰাজ বা সভাপতি ওঁ বিষ্ণুপাদ পৰমহংস পৰি-ব্ৰাজকাচাৰ্য্য বৰ্য্যোষ্টোত্তৰ শত শ্ৰীশ্ৰীমদ্ভক্তিসিদ্ধান্ত সৰস্বতী গোস্বামী মহাৰাজ" সেই সভাত চলে; তাৰ বাহিৰা আইন-কানুন শিষ্টাচাৰ নচলে।

সভাপতি নিমানন্দ দাস পৰম বৈষ্ণৱ নিৰহঙ্কাৰ আৰু অক্ৰোধী। নিমানন্দই শ্ৰীযুত যোগেন্দ্ৰ নাথৰ

অনুমতি নোলোৱাকৈ তেওঁক প্ৰকাশক পতা বাবে, তেওঁ আৰু সেই শিষ্টাচাৰৰ ৰহস্য কথা প্ৰকাশ কৰি দিয়া বাবে, নিমানন্দই তেওঁৰ চিঠিত "দু-কথা" ভালকৈয়ে poor যোগেন্দ্ৰ নাথক শুনাই দিছে। কথা কেইষাৰৰ নমুনা দিলোঁ।—

"শ্ৰীযুত যোগেন্দ্ৰ নাথ বি-এ, ও শ্ৰীযুত ৰাধা-মোহন ব্ৰহ্মচাৰীর নাম আমি উহাদের বিনা অনুমতিতে প্ৰকাশক তালিকাভুক্ত করিয়াছি। প্ৰকৃত প্ৰস্তাৱে তাঁহারা গ্ৰন্থে প্ৰকাশিত বিষয়সমূহের জন্য আদৌ দায়ী নহেন। বিশেষতঃ শ্ৰীযুত যোগেন্দ্ৰ নাথ বি-এ মহাশয় বঙ্গভাষায় লিখিত গ্ৰন্থের প্ৰকাশক হিচাবে গত কাউন্সিল ইলেক্সনে বিশেষ বেগ পাইয়াছিলেন বলিয়া বিশেষ অনুতপ্ত দেখা যায়। কাৰ্য্যকলাপে তিনি আমাদেৰ প্ৰতিষ্ঠিত শ্ৰীশ্ৰীসনাতন ধৰ্ম্ম প্ৰচাৰিণী সভার কাৰ্য্যে শৈথিল্য প্ৰকাশ করিতেছেন। বিষয়ী-লোক একটু বিষয়ে আঘাত পাইলেই নিজের স্বৰূপ প্ৰকাশ করেন এবং ধৰ্ম্মালোচনায় একেবারে উদাসীন হইয়া পরেন, এ দৃষ্টান্ত ধৰ্ম্মজগতে বিরল নহে। পরা বিদ্যার অনুশীলনাভাবে বিষয় বিদূষিত চিত্তের পরিবৰ্ত্তনে বিস্ময়ের বিষয় কিছুই নাই"।

ইয়াকে কয় "কটা ঘাত চেঙা তেল" নিমানন্দই শ্ৰীযুত নাথ মহাশয়ৰ অনুমতি নোলোৱাকৈয়ে তেওঁৰ নাম নিজৰ কিতাপত দি শিষ্টাচাৰ আৰু ভদ্ৰতাৰ চূড়ান্ত দেখুৱালে, তাৰ পিচত তেওঁৰ পিঠিত এই চেকনিৰ কোব। সভাপতি নিমানন্দৰ বৈষ্ণৱত্বৰ ইও এটা ডাঙৰ লক্ষণৰ প্ৰদৰ্শনী। আমিও নিমানন্দৰ সৈতে লগ লাগি কওঁ "শ্ৰীশ্ৰী গুৰু গৌৰাঙ্গৌ জয়তঃ।"

সভাপতি নিমাই দাসে কৈছে, আগেয়ে হেনো তেওঁ দোৰ্দ্দোৰ দুৰ্ব্বাৰ মহাপুৰুষীয়া আছিল। সেই দুঃসঙ্গ তেওঁ পৰিত্যাগ কৰিলে। তেওঁৰ চিঠিৰ পৰা তুলি তেওঁৰ ভাষাৰেই কথাষাৰ কওঁ—"আমি নিজেই একজন মহাপুৰুষীয়া সম্প্ৰদায়ভুক্ত লোক ছিলাম। ভারতের বৈষ্ণৱ সমাজে আমাদের সম্প্ৰদায়ের কোনও প্ৰতিষ্ঠা নাই। ভক্তমাল গ্ৰন্থে এই সম্প্ৰদায়ের নামোল্লেখ নাই দৰ্শনে মনে নিরতিশয় দুখ অনুভব করিতেছিলাম। মল্লনারায়ণ সেরস্তাদারের সঙ্কলিত "হৰি-প্ৰসঙ্গ" গ্ৰন্থের বিস্তৃত ভূমিকা, লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰণীত "শঙ্কৰদেৱ মাধৱদেৱ" প্ৰভৃতি গ্ৰন্থ, আপনার প্ৰকাশিত "শঙ্কৰদেৱ ও শুদ্ধ ধৰ্ম্ম" এবং শ্ৰীযুত অমৃতভূষণ অধিকারীর লিখিত শ্ৰীমন্নামঘোষা প্ৰভৃতি গ্ৰন্থ পড়িয়া এতদূর অহঙ্কার স্ৰোতে ভাসিয়া যাইতেছিলাম যে আমাদের সম্প্ৰদায়ের বিশুদ্ধতা জাহির করিতে অগ্ৰসর হইলাম। কিন্তু যখন আলোচনায় প্ৰবৃত্ত হইলাম তখন শাস্ত্ৰালোকে আমাদের কথাগুলির অলিকতা ও অমূলকতা সুস্পষ্ট দৰ্শন করিয়া নিরতিশয় ক্ষুব্ধ ও লজ্জিত হইলাম। আমাদের বাক্যসমূহের দাম্ভিকতা আমাকে শত বৃশ্চিক দংশনের ন্যায় উৎ-পীড়িত করিতে লাগিল।"

তেওঁৰ এইডোখৰ পঢ়ি আমাৰ মনত খেলাইছে যে নিমানন্দই মহাপুৰুষীয়া ধৰ্ম্মপৰিত্যাগ কৰি শ্ৰীশঙ্কৰ-দেৱক গালি পাৰি নিন্দা কৰি ভালকে কৰিলে, নতুবা শত বৃশ্চিক দংশনৰ বিষত তেওঁ হয় অকালত কালৰ গ্ৰাসত পৰিলহেতেন, নহয় বলিয়া হলহেতেন। এই দুটা অৱস্থাৰ এটাতকৈও শঙ্কৰদেৱৰ আৰু তেওঁৰ প্ৰচাৰিত ধৰ্ম্মক গালি পাৰি জীয়াই থকাটো তেওঁৰ পক্ষে ভাল। তেজ মূৰলৈ উঠিলে শিঙা দি বা জোক লগাই তেজ উলিয়াই নিদিলে জীৱন সংশয়। মহা-পুৰুষীয়াৰে সৈতে দুৰ্ব্বাৰ দুঃসঙ্গৰ কালত এই নিমানন্দৰ নাম কি আছিল নাজানো, জনাহেঁতেন, তেওঁৰ সেই কালৰ যদি কোনো photo ছবি আছে, সেই নামেৰে তেওঁৰ ছবিখনকে এবাৰ মাতি "গুৰু-ভাই" অৰ্থাৎ "হৰিভকত" বুলি আলিঙ্গন কৰি সুখ লভিলোহেতেন। কিন্তু মনৰ হেপাহ মনতে যাব যেনহে পাইছোঁ। যি হওক এতিয়া তেওঁক নিমানন্দ বা নিমচাঁদ বুলিয়েই উল্লেখ কৰিবলগীয়াত পৰিছোঁ, আৰু কৰি যাম। বোধকৰোঁ তেওঁক এই এশ বিছাই কামুৰি মাৰিব খোজাখিনি সময়তে তেওঁ "নিৰতিশয় ক্ষুব্ধ আৰু লজ্জিত হৈ" তেওঁৰ মাতৃভাষা অসমীয়া এৰি বঙলা ধৰিলে। যাৰ অমৃতময় ফল এইখন বাবৰুৱা চিঠি আৰু বঙলা কিতাপখন। হওক বপুৰাই মাতৃভাষা আৰু মাতৃভূমিৰ মহাধৰ্ম্ম এৰি বঙ্গ-ভাষা আৰু গৌৰসুন্দৰৰ ধৰ্ম্ম ধৰি তেওঁ সাংঘাটিক বিছাৰ বিষ নমাইছে, ইয়াতে আমাৰ সন্তোষ।

এইখিনিতে যদিও বৰকৈ খাপ নাখায় তথাপি কওঁ যে নিমচাঁদৰ Mentality আৰু গৌৰীপুৰীয়া mentality -ইৰ সাদৃশ্য পাঠকে অলপ চাই লব। অসমত ভূম্যাধিকাৰী হিচাপত ডাঙৰ ডাঙৰ বঙ্গ-জমিদাৰ নাই; দিনাজপুৰ, দীঘাপতীয়া, নাটোৰ, প্ৰদ্যোৎ, প্ৰফুল্ল ঠাকুৰ নাই; ভাষাৰ ক্ষেত্ৰত ৰবীন্দ্ৰ নাই, বঙ্কিম নাই, আছে মাণিক জগন্নাথ, সত্যনাথ, লম্বোদৰ; এই দেশত আকৌ মানুহ থাকে! এই দেশৰে আকৌ অহঙ্কাৰ কৰে। এই ভাষাৰে আকৌ কথা কয়। ছেঃ! ছেঃ! যাও, হামলোক বঙালী হোগা। বেল হাম্‌লোক বঙালী। 'মশায় আমরা আসামী নই, বাঙ্গালী। কাছে বসতে একটু জায়গা পাব?' বঙালী বদতি-"নিশ্চয় নিশ্চয়, সে কি কথা। আসুন আসুন, বসুন বসুন। ভজহৰি! আরে ভজা, শীগ্‌গির তামাক নিয়ে আয়। কড়ি বাঁধা হুকয় নয়। বুঝলে?"

আৰু এটা কথা এইখিনিতে নকলে নচলে। কোনোৱে এটা ধৰ্ম্ম এৰি নকৈ আন এটা ধৰ্ম্ম ললে

নেগুৰ কটা হেৰিয়াৰ দৰে বৰ তীখাবোৰৰা হয় আৰু হৈ ন ধৰ্ম্মৰ গুণ প্ৰচাৰত আৰু এৰি অহা ধৰ্ম্ম-টোৰ বিনাশ সাধনত লাগি যায়। ইয়াৰ উদাহৰণ বিচাৰি কালাপাহাড় বা পোৰামুঠানৰ কালে চকু দিলেই হব। সেইদেখি কথাতে কয় হিন্দু নকৈ মুছলমান হলে হিন্দুৰ অভক্ষ মঙহ খাবৰ মন হয়। নিমচাঁদ আগৰ মহাপুৰুষীয়াই মহাপুৰুষীয়া ধৰ্ম্ম এৰি গৌৰসুন্দৰৰ ধৰ্ম্ম লৈ যে শঙ্কৰদেৱ আৰু মহা-পুৰুষীয়া ধৰ্ম্মক গালি পাৰিব তাত আশৰ্য্য কি। ন শৰণীয়াই ন ধৰ্ম্মৰ বাগিৰ জালত জকি উঠাটো স্বাভাৱিক।

নিমচাঁদ সভাপতিয়ে কৈছে "আসামে আচার আছে বিচার নাই" বঙ্গদেশে প্ৰচলিত এই প্ৰবাদ বাক্যের সত্যতা হাড়ে হাড়ে অনুভৱ করিলাম। শ্ৰীগুৰুৰ অপার কৃপাবলে শুদ্ধসত্য ধৰ্ম্মের বাজকমে উপনীয়মান হইয়া আমার মত ভ্ৰান্ত, অন্ধ, মূঢ় ব্যক্তিৰ ধৰ্ম্মানু-সন্ধিৎসা বৃদ্ধি করিতে এই গ্ৰন্থ প্ৰণয়ণেৰ কাৰ্য্যে হস্তক্ষেপ করি। গ্ৰন্থলেখনে শ্ৰীগুৰুৰ প্ৰেরণা, অগাধ পাণ্ডিত্য, অবশ্য স্বীকাৰ্য্য। আমার কোন পাণ্ডিত্য নাই"।

আমিও বুজিছোঁ যে আচলতে নিমচান্দৰ বিদ্যা-বুদ্ধি নাই, পাণ্ডিত্যও নাই, নতুবা তেওঁ যি ধৰ্ম্মক আক্ৰমণ কৰিবলৈ গৈছে, সেই ধৰ্ম্মৰ ক-খৰো আচল মৰ্ম্মৰ বিষয়ে তেওঁ কিয়, আমি ভালকৈ বুজিছোঁ যে তেওঁ আৰু তেওঁ ছপা কৰা কিতাপখন তেওঁৰ সেই একে উশাহে মাতিব নোৱৰা গুৰু মহাৰাজৰ গ্ৰোমফোন; আৰু তাৰ কথাবোৰ "His Masters' voice" অৰ্থাৎ সেই কলৰ ভিতৰেদি ওলোৱা তেওঁৰ গৰাকীৰ মাত। আজিকালিৰ বঙ্গজ ৰাহু-কেতুসকলৰ অসম গ্ৰাহৰ প্ৰচেষ্টাৰ ইও এটি "চাল" বুলি আমাৰ পাঠকৰ কোনোৱে ভাবিব পাৰে। আমাৰ পাঠকৰ ভিতৰৰ কোনোৱে ভাবিব পাৰে যে বঙালীয়ে ছোৱালী দি যৌতুকত কোচবেহাৰখন পালে, দেশ-বিভ্ৰাটৰ গোলমালত ৰংপুৰ, দিনাজপুৰ, বগুৰা, জলপাইগুৰি পালে। তেওঁলোকৰ পেট ডাঙৰ ভাত দুটি চাইটি ৰসগোল্লালৈ সদায় ঠাই থাকে। এতেকে গুৱালপাৰ-ধুবুৰী এই এবোৰ ৰসগোল্লাৰ কালে তেওঁলোকে চাই জিভাৰ পানী উলিয়াই আছে। অসমীয়া ভাষাটিৰ ওপৰত বপুৰাইতে বৰ লোভ কৰিছিল। কিন্তু বিধি সেই প্ৰয়াসত বাদী হ'ল। শঙ্কৰদেৱক ইমান দিন চৈতন্যৰ শিষ্য বুলি ভাবি সুখ পাইছিল, সেই গুড়তো বালি পৰিল। সেইদেখি এতিয়া "বা, তইঁতৰ শঙ্কৰদেৱ বৈষ্ণৱেই নহয়, আৰু শঙ্কৰ প্ৰচাৰিত ধৰ্ম্মটো বৈষ্ণৱ ধৰ্ম্মই নহয়, সি এটা হেন-তেন।" ভায়াইঁতৰ সম্প্ৰতি এই চাল। অৱশ্যে এই hypothetical কল্পিত মতামতৰ ওপৰত আমি কোনো মতামত প্ৰকাশ নকৰোঁ।

বৈষ্ণৱ পণ্ডিত শিৰোমণি নিমচান্দ দাসে কৈছে যে ভাৰতৰ তেওঁ জনা বৈষ্ণৱ সমাজত আমাৰ মহা-পুৰুষীয়া সম্প্ৰদায়ৰ কোনো প্ৰতিষ্ঠা নাই যেতিয়া, আৰু ভক্তমালা গ্ৰন্থত এই সম্প্ৰদায়ৰ নামোল্লেখ নাই যেতিয়া আৰু কি আছে ? বপুৰা বিছাৰ কামোৰত তৎ নোপোৱা হ'ল আৰু লাজতে মৰি যোৱা যেন হ'ল। অৱশ্যে আমি ধৰি লৈছোঁ যে ভক্তমালা গ্ৰন্থত তেওঁ ভুক্ত হোৱা সম্প্ৰদায় "বিশ্ব বৈষ্ণৱ ৰাজ-সভা"ৰ নাম আছে আৰু তেওঁৰ গুৰু মহাৰাজ নিত্যানন্দাৱতাৰ ইত্যাদি ইত্যাদি সৰস্বতী গোস্বামীৰ নামো আছে ; নতুবা এইবাৰ তেওঁক বিছাই কামুৰি নেৰিলেহেঁতেন, কিজানি বনৰজাইও খালেহেঁতেন। নিমানন্দই জানে যে আনে আমাৰ কথা নেজানিলে আমাৰ থকা নথকা সমান। বঙালীয়ে যদি আমাৰ ভাষাটো নাজানে সি ভাষা নহয়। হিন্দী গ্ৰন্থকাৰৰ কিতাপত থাইকৈ বঙালী গ্ৰন্থকাৰৰ কিতাপত যদি শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰচাৰিত ধৰ্ম্মৰ উল্লেখ নাথাকে, তেন্তে নিমচান্দ মাৰ্কা গ্ৰামোফনত "হিজ মাষ্টৰ্ছ ভইছৰ" আৱাজ উঠিল—শঙ্কৰদেৱ inpostor ভণ্ড আৰু মহাপুৰুষীয়া ধৰ্ম্মটো এটা লজ্জাকৰ পদাৰ্থ ভক্তমালাত নাম থকাবোৰৰ বাহিৰে ভাৰতৰ সুদূৰ উত্তৰ দক্ষিণ পুব পশ্চিমত যিবোৰ ধৰ্ম্ম-কৰ্ম্ম বিষ্ণু-পূজা আৰু বৈষ্ণৱ আছে, সেইবোৰ ভক্তমালাবেদৰ বাহিৰ আৰু সেইদেখি "বাতিল"। কাৰণ ভক্তমালা গ্ৰন্থখন গোটেই বিশ্বজগতৰ অথবা গোটেই ভাৰতৰ বৈষ্ণৱৰ নিৰহনিপানী বুৰঞ্জী। আৰু কাৰণ ভক্তমালাৰ গ্ৰন্থকাৰ সৰ্ব্বদৰ্শী বেদব্যাসং আৰু কাৰণ ভক্তমালাখন বৈষ্ণৱ ধৰ্ম্মৰ ইতিহাসৰ last word শেহ বাক্য। ছেক্সপিয়েৰে সেইদেখি সঁচাকৈয়ে কৈছিল যে, "There are more things in heaven and earth than are dreamt of in your philosophy." নিমচান্দে তেওঁৰ কিতাপৰ পাতনিত বিনয়পূৰ্ব্বক কৈছে—"উপসংহারে আমার বক্তব্য এইযে আমি মূৰ্খ।................হরিভজন কাহাকে বলে জানিনা। ইহাতে যদি কিছু কৃতিত্ব থাকে তাঁহা আমার নহে। ধোপার গাধা স্বৰূপ আমি ব্যবহার বুঝিনা, বহন করি মাত্র"। আমিও কওঁ যে এইবাৰ হে নিমচান্দ, তুমি সঁচা কথা এষাৰ কলা। নতুবা শ্ৰীশঙ্কৰদেৱৰ ধৰ্ম্মৰ আখৰটোও নুবুজি তেওঁক আৰু মহাপুৰুষীয়া ধৰ্ম্মৰ ওপৰত এনে ভ্ৰান্ত সিদ্ধান্ত কৰি বৈষ্ণৱ নিন্দাৰূপ মহাপাতক আৰ্জ্জিবলৈ নাবাবাই বা কিয় ? বোলো অগাঢ় সমুদ্ৰ মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মৰ পানী তুমি খৰিকা এডাল হাতত লৈ জুখিবলৈ যাবা কিয় ? আজি চাৰিশ পাঁচশ বছৰ যি ধৰ্ম্মই কোটি কোটি নৰনাৰীক শান্তি দি পৰমেশ্বৰ-মুখী কৰি আহিছে, যিজন মহাপুৰুষৰ প্ৰদীপ্ত প্ৰভাৱত গোটেই অসম আৰু আজিকালিৰ প্ৰায় তিনিভাগৰ

এভাগ বঙ্গদেশ উশৃঙ্খল, তোমাৰ ক্ষুদ্ৰ বিদ্যা বা অবিদ্যা, জ্ঞান বা অজ্ঞান লৈ তুমি সেই মহাপুৰুষক নিন্দা গ্লানি কৰিবলৈ যাবা কেলৈ? হিমালয় পৰ্ব্বতৰ টিঙত শগুনে বহি ভাবে, সি হিমালয়তকৈও ওখ। গোটেই অসমৰ সমূহ বৈষ্ণৱৰ অন্তঃকৰণত আঘাত দি তুমি তেওঁলোকৰ ধৰ্ম্মনিন্দা আৰু গুৰুনিন্দা কৰিবলৈ ওলাইছা ক্ষুদ্ৰ মানুষ্য, ক্ষুদ্ৰ পতঙ্গ তুমি। তোমাৰ আস্পৰ্দ্ধা দেখি শগুতকৈও হাঁহিছে উঠে। তুমি ভূত মহাপুৰুষীয়া, বৰ্ত্তমান চৈতন্যীয়া, তুমি পাহৰিলা যে—

"ভকতক নিন্দা কৰে অধম।
জানিবা নামৰ দ্ৰোহী পৰম॥
যাত হন্তে ভৈল নামৰ খ্যাতি।
তাৰ কি নিন্দা নামে সহে আতি॥"

তুমি কিতাপ লেখি মহাবৈষ্ণৱক নিন্দা কৰিছা। শাস্ত্ৰই কি কৈছে তুমি নাজানা।—

"বৈষ্ণৱ নিন্দা কৰ্ণে শুনিয়া।
নুগুচে কাণত আঙ্গুলি দিয়া॥
সমস্ত পুণ্য নষ্ট হোৱে তাৰ।
নৰকত পৰে নাহি নিস্তাৰ॥
বিষ্ণু-বৈষ্ণৱক কৰে ধিক্কাৰ।
কাটিবে আণ্টিল জিহ্বাক তাৰ॥
শাস্তি কৰিবাক যেবে নপাৰি।
গুজিবে কাৰণ অঙ্গুলি গাৰি।
নিন্দা শুনি যদি তৈৰ নুগুচে।
কল্পেকমানে নৰকত পচে॥
যাইবাক যদি নাই আন থান।
তথাতে এড়িব আপোন প্ৰাণ॥
তেবেসে হোৱে প্ৰায়শ্চিত্ত আতি।
দক্ষৰ যজ্ঞত কহিলা সতী॥"

সেই কালৰ স্বাধীন অসমৰ স্বাধীন শ্ৰীশঙ্কৰ-সূৰ্য্যৰ উজ্জ্বল পোহৰে মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মক "বিষ্ণুপূজক" কিতাপৰ গ্ৰন্থকাৰে পৰাধীনতাৰে পিহ খোৱা দেশৰ ভক্তমালা বা আন কোনো গ্ৰন্থৰ ভিতৰত দেখিবলৈ নেপাই লাজত মৰণাপন্ন হৈ মহাপুৰুষীয়া ধৰ্ম্ম পৰিত্যাগ কৰি লৰি আন ধৰ্ম্ম গ্ৰহণ কৰি উশাহ লব পাৰে, আৰি হলে বৰং সেই বাবে গৌৰৱত মূৰ দাঙিহে আছোঁ, তেওঁৰ দৰে ওৰণি লবলৈ নলবো। দুখৰ বিষয় আজি অসম পৰাধীন নহুৱা শ্ৰীশঙ্কৰদেৱৰ কালৰ দৰে যদি অসম আইৰ গৌৰৱমণ্ডিত মূৰ স্বাধীনতাৰ কিৰীটেৰে বিভূষিত হৈ থাকিলহেঁতেন, তেন্তে আমাৰ মহাপুৰুষীয়া, দামোদৰীয়া আৰু হৰিদেৱী সম্প্ৰদায়ৰ ভক্তমালাৰ ভিতৰত বঙ্গদেশৰ বিবোৰ ভক্তক সাপালোহেঁতেন, আৰু আমাৰ বাবজন আতাৰ শাৰীত তেওঁলোকৰ যি বেইজন কিজানি চাপৰ বাহিৰ কৰি থলোঁহেঁতেন। আচল কথা, বঙ্গৰ হনুমন্তই অসম-সূৰ্য্য শঙ্কৰক কাষলতিত সুমাই লৈ ফুৰাৰ নোৱাৰাটোতেই যত গোলযোগ।

নিসচান্দ সভাপতিয়ে তেওঁৰ চিঠিৰ এঠাইত লিখিছে—"শঙ্করদেবের স্বরচিত কোন স্মৃতি গ্রন্থ নাই। কাজেই মহাপুরুষীয়া ধর্ম্মত আচারেরে নিত্যত্ব বা শুদ্ধতা রক্ষিত হওয়া অসম্ভব।" আমি কওঁ নিমায়ে তেওঁৰ গৌৰসুন্দৰে লিখা স্মৃতিখনৰ নাম আমাক দিলে তেওঁৰ শলাগ লম। ইফালে তেওঁ তেওঁলোকৰ সমাজত চলা ৰঘুনন্দন ভট্টাচাৰ্য্যৰ স্মৃতিকো নিন্দা কৰিবলৈ এৰা নাই। যেনে— "শ্রীমহাপ্রভুর অনেক পরে রঘুনন্দন ভট্টাচার্য্য নামে একজন ব্রাহ্মণ বৈষ্ণবী আখ্যা গ্রহণ করিয়া একখানি স্মৃতিশাস্ত্র প্রণয়ন পূর্ব্বক বৈষ্ণব সমাজে প্রচলিত করেন। তাহার ফলে স্মার্ত্তব্রাহ্মণ জাতির প্রভুত্ব হিন্দু সমাজে পুনঃ প্রতিষ্ঠিত হয। ক্রমে ক্রমে বৈষ্ণবস্মৃতি শ্রীহরিভক্তি বিলাস বৈষ্ণব সমাজ হইতে দূরীভূত হইয়া পুরাতন অনাদৃত গ্রন্থস্তূপে কীটদ্রংষ্ট হইয়া নিজের সত্তাটুকু কোন প্রকারে সংরক্ষণ করিতে বাধ্য হয়। এই স্রোত আসামে আসিয়া শঙ্করদেবের ভাগবতসম্মত আচারেতেও মহাবিপ্লব ঘটাইয়াছে।"

গ্ৰন্থকাৰৰ কথাতে প্ৰমাণ হল যে বৈষ্ণৱ স্মৃতি হৰিভক্তিবিলাসক মাৰি তেওঁলোকৰ বৈষ্ণৱ সমাজত ৰঘুনন্দনৰ স্মৃতিয়ে সেই ঠাই ললে। তেনেহলে তেওঁলোকৰ বৈষ্ণৱ আচাৰ কেনেকৈ ক'ত থাকিল? যদি নাথাকিল "আসামে আচার আছে বিচার নাই" আৰু বঙ্গদেশত দুইটা আছে, এই কথা যে তেওঁৰ হাড়ে হাড়ে অনুভৱ কৰিছিল, সেইটো ক'ত আছে? বিহগুক নিমচান্দে শ্ৰীশ্ৰীশঙ্কৰদেৱে প্ৰৱৰ্ত্তোৱা অসমত থকা আচাৰ যে ভাগৱতসম্মত বুলি ভুলতে স্বীকাৰ কৰিলে, সেয়েই পৰম লাভ। শ্ৰীহৰিভক্তিবিলাস স্মৃতিখন চৈতন্যই লেখা নে কোনে লেখা? আৰু সেই স্মৃতি কোন শাস্ত্ৰসন্মত? "যত দোষ নন্দঘোষ।" শ্ৰীশঙ্কৰদেৱৰ ৰচিত স্বকীয়া স্মৃতি নাই দেখি আমাৰ বৈষ্ণৱসকল অনাচাৰী। হে হৰি! এই turn-coat নিমচান্দৰ চকু দুটা মুকলি কৰি কেতিয়া দিবা? নহলে তেওঁ এন্ধাৰত কেনেকৈ খুন্দিয়াই ফুৰিছে চোৱা। বেচেৰাই স্বধৰ্ম্মও এৰিলে, এতিয়া মূৰৰ লাওখোলাটোও যাবৰ উপক্ৰম।

চাউলৰ মন্ত্ৰৰ কথাত ঠেকত পৰি নিমায়ে লেখিছে, 'যদি ইহা না হয়, না হইল; মূল সিদ্ধান্তের তাতে ক্ষতি কি?" আমি কওঁ সঁচা। তেওঁৰ মূল সিদ্ধান্তটো শঙ্কৰদেৱক অবৈষ্ণৱ প্ৰমাণ কৰি

গালি পৰাটো সেই গালি চাউলৰ মধ্যৰ ভুল কথাই ব্যাঘাত জন্মাব কেনেকৈ ?

নিমাইচান্দে শঙ্কৰৰ ধৰ্ম্মমত বুলি ধনচেৰেক অপ্ৰামাণিক rubbish কোনোবাই কৰা শাস্ত্ৰৰ নাম দিছে—চকুৰ আগতে দশম, কীৰ্ত্তন, ঘোষা, ৰত্নাৱলীৰ আঁৰিয়া জলি থাকোঁতেও। আকৌ কওঁ, হে প্ৰভু! নিমচান্দৰ চকুৰ সোনকালে এটা গতি কৰা। আমি নিমাইক কওঁ যে চৈতন্যৰ মত বুলি চৈতন্যৰ নামত চলোৱা তেনেকুৱা কেইবাখনো গ্ৰন্থৰ নাম আমি তেওঁক দিব পাৰোঁ। লাগিলে চাৰি পইচাৰ ডাকটিকট পঠিয়াই তেওঁ আমালৈ চিঠি লেখি খুজি পঠিয়াওক।

নিমাইচান্দে জানো দেখিছেঁ যে বৈষ্ণৱক নিন্দা কৰাটো পাপ। সেইদেখি তেওঁ কুতৰ্কৰ জাল মেলি শ্ৰীশঙ্কৰদেৱক প্ৰথমতে অবৈষ্ণৱ পাতি গালি পাৰিবলৈ বাট মোকোলাই লৈছে। নিশ্চয় তেওঁৰ ন গুৰুৰ প্ৰেৰণাতহে তেনে কৰিছে। কাৰণ তেওঁ মাথোন গ্ৰামোফোন যন্ত্ৰ। সেই প্ৰেৰণাই কৈছে যে চৈতন্যীয়া কেইজনহে বৈষ্ণৱ, আনবোৰ মহা-পাপী। সেইদেখিয়েই, এই টোপাখছ নিমচান্দে ভাৰতপূজ্য মহাসাধু ৰামকৃষ্ণ পৰমহংসদেৱকো তেওঁৰ কিতাপত প্ৰতাৰক পৰ্য্যন্ত বুলিছে। নিম-চান্দৰ আস্পৰ্দ্ধা কম নহয়। ইয়াৰ ভিতৰুৱা যাই কাৰণ বোধকৰোঁ এইটো যে নিমাইৰ গুৰু মহাৰাজো পৰমহংস উপাধিধাৰী ; সেইদেখি একেটা চোঙতে দুটা বাঘ থাকে কেনেকৈ ? People of the same trade do not pull on together.

আমাৰ বন্ধু শ্ৰীযুত প্ৰবোধচন্দ্ৰ মজুমদাৰে কয়, "মশায়, আপনি আমার দিকে এক একটি করে পোকা চালিয়ে দিচ্ছেন দেখছি।" আমি কওঁ, নিমাইচান্দৰ "বিষ্ণু পূজা" নামৰ কিতাপৰ পোকটিও আগেয়ে আৰু এতিয়াও চলাই থকা আন আন পোকৰ শাৰীৰ পোক অসমৰ ওপৰত নজৰ দিয়া বঙ্গ ভায়াসকলে আমাৰ কালে চলাই দিছে। দিয়ক। তেওঁলোকৰ হাতত অনেক পোক। এটি এটিকৈ চলাই যাওক। শ্ৰীশঙ্কৰদেৱে কীৰ্ত্তনত কৈছে—

"কংসৰ পাঞ্চনি পাই যত দৈত্য আসে।
ভুমি-অগনিত যেন পুৰি মৰে জাসে॥

এতেকে ভয় নাখাওঁ।

আমাৰ দুইজনা মহাপুৰুষৰ নামৰ অমিল আছে বুলি নিমায়ে তেওঁৰ কিতাপত লেখা কথাত "কামৰূপ মহাপুৰুষীয় সভাৰ" সম্পাদকে ভুল ধৰি দিয়াত নিমায়ে কৈছে—"নামের যদি মিল আছে, ভাল কথা। আর যদি নাথাকে মূল সিদ্ধান্তের বিশেষ কোন সাহায্য করে না"। সঁচা তেওঁৰ মূল সিদ্ধান্তৰ উদ্দেশ্য মহাপুৰুষক আৰু মহাপুৰুষীয়াক নিন্দা কৰা আৰু গালি পৰাটোহে।

ইয়াৰ পিচত তেওঁ মহাপুৰুষীয়া ধৰ্ম্মত বীজ নথকা নামহে আছে, বীজ থকা নাম নাই বুলি যি কথা তেওঁ কিতাপত লিখিছিল তাৰ বিষয়ে সোধাত তেওঁ তাকে আকৌ নুটিয়াই কৈছে। তেওঁৰ বক্তব্যৰ মৰ্ম্ম মুঠতে মহাপুৰুষীয়া নামত বীজ বা গুটি নাই, অৰ্থাৎ জানিবা গুটি নথকা আমটোহে কিন্তু চৈতন্যৰ নামৰ আমটোৰ ভিতৰত হলে গুটি আছে আৰু সেইটো ডাঙৰ। সিদিনা এজনী আমৰ পোহা-ৰীয়ে আম বেচিবলৈ লৈ আহিছিল। আমবোৰ সৰু সৰু কিন্তু দাম বেছি বেছি কৈছিল। তাইক সেই কথা কলত তাই উত্তৰ দিলে, "দেউতা আম সৰু হয়; কিন্তু তাৰ ভিতৰৰ গুটি ডাঙৰ আছে।"

শেহত কামৰূপ মহাপুৰুষীয়া ধৰ্ম্মালোচনী সভাৰ সম্পাদকক কওঁ যে শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু তেওঁৰ প্ৰচাৰিত ধৰ্ম্মৰ মান ৰক্ষা কৰিবৰ নিমিত্তে আদালতৰ সাহায্য লবৰ কথা যেন তেওঁলোকে মনতো ঠাই নিদিয়ে। আজি প্ৰায় পাঁচশ বছৰ ভাৰতৰ পূব আকাশত শঙ্কৰ-সূৰ্য্য নিজৰ প্ৰভাৱেৰে জ্বলি আছে আৰু সনাতন হিন্দু ধৰ্ম্ম এই ভাৰতভূমিত যিমান দিন থাকে, সেই জ্যোতি ম্লান নহয়। জাবৰত লগা জুয়ে সূৰ্য্যৰ পোহৰ ঢাকিব নোৱাৰে। আকাশলৈ থুই মাৰি পঠিয়াৰ থুই উভতি আহি নিজৰ মুখতহে পৰে। এতেকে তেওঁলোক ক্ষান্ত হওক, আৰু কায়মনোবাক্যে নিজ গুৰু শ্ৰীমন্ত শঙ্কৰ আৰু মহা-পুৰুষ মাধৱৰ পন্থানুসৰণ কৰি ঈশ্বৰৰ চৰণ সেৱা ভক্তি কৰি নিজৰ আৰু জগতৰ কল্যাণ সাধক। তেওঁলোকৰ ওচৰত দীনহীনৰ এই প্ৰাৰ্থনা।

"মাধৱৰ ৰঙা দুই চৰণে ধৰিয়া।
হৰিনাম ৰস পিয়ো অঞ্জলি ভৰিয়া॥"

আজি এই প্ৰবন্ধ আমি আমাৰ বক্তব্যৰ পাতনি স্বৰূপেহে লেখিছোঁ। পিছৰ প্ৰবন্ধত কিতাপখনৰ ভিতৰত প্ৰবেশ কৰা যাব।

(২)

আমি আমাৰ আগৰ প্ৰবন্ধত কৈছিলোঁ যে পিছৰ প্ৰবন্ধত আমি "বৈষ্ণৱ ও বিষ্ণুপূজক" কিতাপৰ ভিতৰত প্ৰবেশ কৰিম। কিন্তু এতিয়া দেখিছোঁ

যে সোমাবৰ বাটেই নাই, বাটতে হেণ্ডাৰ। গ্ৰন্থকৰ্ত্তাই বৈষ্ণৱ আৰু বিষ্ণুপূজাক চাপৰি কুঁজা হৈ তেওঁৰ দুটা ভৰিৰ মাজেদি পাছফালে চাই পঠিয়াই যি দেখিছে, তাকে তেওঁৰ কিতাপত লেখিছে ; থিয় হৈ সেই দুটা বস্তুক (স্বৰূপতে একেটা বস্তুকে) কেউফালৰ পৰা যে চাব পাৰি আৰু সেইদৰে চালেহে যে তাৰ প্ৰকৃত স্বৰূপ দেখা পোৱা যায়, সেইটো তেওঁৰ বোধলৈ অহা নাই। তেওঁ ঠিক সাত কণাৰ এক কণাই হাতী দেখাৰ দৰে বস্তুটো দেখিছে আৰু সেইদেখি অতি ওখ থাপৰ নিৰ্ব্বিকাৰ একান্ত বিষ্ণুভকতসকলেৰে সৈতে শেহত সেই থাপলৈ উঠিবৰ প্ৰয়াসী বৈষ্ণৱসকলক বিজাই, তেওঁলোকক অবৈষ্ণৱ আন কি নিৰ্ব্বিশেষবাদী নাস্তিক পৰ্য্যন্ত বুলি নিজৰ বিদ্যা ফলাইছে। তেওঁ চিঁয়া ভাটৌৰ নিচিনাকৈ বঙ্গীয় বৈষ্ণৱ সম্প্ৰদায়ৰ কথাবোৰ মুখস্থ কৰি তাৰ আচল মৰ্ম্ম নুবুজি বা বুজিবলৈ চেষ্টা নকৰি আন দেশৰ বৈষ্ণৱৰ আৰু বঙ্গীয় বৈষ্ণৱৰ ভিতৰৰ ঐক্য নিবিচাৰি আৰু নেদেখি বিদেশী বৈষ্ণৱসকলক অবৈষ্ণৱ পাতি তেওঁৰ কিতাপত সেইবোৰকে আওবাইছে। চৈতন্য প্ৰচাৰিত বঙ্গদেশীয় বৈষ্ণৱ ধৰ্ম্ম আৰু অসমৰ শ্ৰীশঙ্কৰদেৱ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্মৰ ভিতৰত মূলগত পাৰ্থক্য নিশ্চয় আছে। তেওঁ সেইটোলৈ চকু নিদি শঙ্কৰদেৱ প্ৰচাৰিত ধৰ্ম্মক, তেওঁক চৈতন্যদেৱৰ সম্প্ৰদায়ে হাতত তুলি দিয়া জোখ-কাঠী ডালেৰে জুখি একেবাৰেই ভুল বুলি সিদ্ধান্ত কৰি নিজৰ অদূৰদৰ্শিতা, অবৈষ্ণৱতা আৰু সঙ্কীৰ্ণতা প্ৰকাশ কৰিছে। বাস্তৱিকতে গ্ৰন্থকাৰৰ আস্পৰ্দ্ধা দেখিলে অবাক হব লাগে। দুজন মহাপুৰুষে প্ৰচাৰ কৰা একেটা ধৰ্ম্মতে দেশ-কাল-পাত্ৰ আৰু প্ৰচাৰক দুজনৰ স্বভাৱ আৰু ৰুচি অনুসাৰে, প্ৰণালীত বিস্তৰ প্ৰভেদ ঘটে। বিজ্ঞই বিশেষকৈ বৈষ্ণৱে সকলো ধৰ্ম্মৰ সাৰ বস্তুত ঐক্যহে বিচাৰে আৰু দেখে। অনেক প্ৰয়াস কৰি অনৈক্য বিচাৰি উলিয়াই প্ৰতিপক্ষক গালি নাপাৰে, নিন্দা নকৰে। বিজ্ঞ অবিজ্ঞৰ ভিতৰত ঠিক মৌমাখি আৰু ভেৰণিৰ মাখিৰ ভিতৰৰ প্ৰভেদ। বেদান্তৰ ভাষ্যকাৰ স্বামী ৰামতীৰ্থৰ বিষয়ে মহাত্মা গান্ধী সম্পাদিত "ইয়ং ইণ্ডিয়া" কাকতত দীনবন্ধু সাধু ছি, এফ্ এণ্ড্ৰুজে কৈছে :— "It was a fundamental principle with him (Ram Tirth) that religions are not really different, but one ; that, it is the unity underlying all religions which is the greatest of all things to realise and practise" পৰৰ নিন্দা গ্লানি কৰাটো বৈষ্ণৱৰ লক্ষণেই নহয় ; ওপৰে ওপৰে ওপঙি ফুৰা টকলিপুৱাৰহে লক্ষণ। চৈতন্যদেৱে তেওঁৰ এজন জিজ্ঞাসু শিষ্যক কৈছিল :—

কৃষ্ণনাম নিরন্তর যাহার বদনে।
সেই বৈষ্ণব শ্রেষ্ঠ ভজ তাহার চরণে॥
যাহার দর্শনে মুখে আইসে কৃষ্ণনাম।
তাহারে জানিহ তুমি বৈষ্ণব প্রধান॥
ক্রম করি কহে প্রভু বৈষ্ণব লক্ষণ।
বৈষ্ণব বৈষ্ণবতর আর বৈষ্ণবতম্॥"
"গুরুপদাশ্রয় দীক্ষা গুরুর সেবন।
সদ্ধর্ম্ম শিক্ষাপৃচ্ছা সাধুমার্গানুগমন॥
কৃষ্ণপ্রীতে ভোগত্যাগ কৃষ্ণতীর্থে বাস।
যাবৎ নির্ব্বাহ প্রতিগ্রহ একাদশ্যপবাস॥
ধাত্র্যশ্বথ গো বিপ্র বৈষ্ণব পূজন।
সেবা নামাপরাধাদি দূরে বর্জন॥
অবৈষ্ণব সঙ্গত্যাগ বহুশিষ্য না করিবে।
বহুগ্রন্থ কলাভ্যাস ব্যাখ্যান বর্জ্জিবে॥
হানি লাভ সম শোকাদি বশ না হইবে।
অন্য দেব অন্য শাস্ত্র নিন্দা না করিবে॥
বিষ্ণু বৈষ্ণব নিন্দা গ্রামবার্ত্তা নাশুনিবে।
প্রাণীমাত্রে মনোবাক্যে উদ্বেগ না দিবে॥
শ্রবণ কীর্ত্তন স্মরণ পূজন বন্দন।
স্মৃতিচর্য্যা দাস্য সখ্য আত্মনিবেদন॥"

—চৈতন্য চরিতামৃত।

শ্ৰীশঙ্কৰদেৱে অব্যভিচাৰীভাৱে বিষ্ণু বা কৃষ্ণক ভজনা কৰিছিল আৰু তেওঁৰ মতাৱলম্বী বৈষ্ণৱ ভকতসকলক নিৰহ-নিপানীভাৱে তাকে শিক্ষা দিছিল। অন্য দেৱ দেৱীক ভজনা কৰিবলৈ হাক দিছিল, কিন্তু সদায় কৈছিল যে সেই দেৱদেৱীসকলক আৰু সেই দেৱদেৱীপূজকসকলক কেতিয়াও নিন্দা বা অসন্মান নকৰিবা ; কাৰণ তেওঁলোকো বিষ্ণুৰ অংশ আৰু তেওঁলোকৰো হৃদয়ত বিষ্ণু বিৰাজমান। তেওঁৰ কোনো ৰচনাত অন্য দেৱ-দেৱী পূজকসকলৰ প্ৰতি কটুবাক্য নাই।

"প্ৰহলাদে কৰিল ত্ৰিদশক বহু মান॥
প্ৰথমতে ব্ৰহ্মাক নমিল দৈত্যেশ্বৰ।
শঙ্কৰকো প্ৰণামিলা আত অনন্তৰ॥
জানন্ত বিষ্ণুৰ অংশ আনো যত দেৱ।
এক থানে সবাকো কৰিলা পৰি সেৱ॥

—কীৰ্ত্তন

শ্ৰীশঙ্কৰদেৱৰ নাম-ধৰ্ম্ম প্ৰকাশ কৰিবলৈ অৱতাৰ হৈছিল। চৈতন্যদেৱেও নাম-ধৰ্ম্ম প্ৰচাৰ কৰিবলৈকে অৱতাৰ হৈছিল যদিও সেইটো কিন্তু মুখ্যতঃ নহয় গৌণতঃহে।

"এই মত চৈতন্য কৃষ্ণ পূর্ণ ভগবান।
যুগধর্ম্ম প্রবর্ত্তন নহে তার কাম॥
কোন কারণে যবে হৈল অবতার মন।
যুগধর্ম্ম কাল হৈল সে কালে মিলন॥"

—চৈতন্য চরিতামৃত

অৰ্থাৎ—

"নিজভাবে করে নাহ গুণ আস্বাদন।
আপনা আস্বাদিতে কৃষ্ণ করেন যতন॥".

আকৌকেও—

"নিজ প্রেমাস্বাদে মোর হয় যে আহলাদ।
তাহা হইতে কোটিগুণ রাধা-প্রেমাস্বাদ॥"
"ভক্তি হইয়া হৃদি যদি বিচার করি।
সব রস হৈতে শৃঙ্গারে অধিক মাধুরী।"
"অতএব মধুর রস কহি তার নাম।
স্বকীয়া পরকীয়া ভাবে দ্বিবিধ সংস্থান॥"

আৰু স্বকীয়াতকৈও

"পরকীয়া ভাবে অতি রসের উল্লাস।"

চৈতন্যদেৱে মুখ্যত: আহিছিল এনে পৰকীয়া প্ৰেমাস্বাদ কৰিবলৈ; কিন্তু সেই সময়তে যুগধৰ্ম্ম প্ৰকাশৰ কাকতালী সংযোগ ঘটিল, সেইদেখি লগতে সেইটোকো অৰ্থাৎ নাম শ্ৰৱণ-কীৰ্ত্তন ধৰ্ম্ম প্ৰচাৰ-টোকো হাতত ললে। অৰ্থাৎ তুমি জানিবা' ডাক-ঘৰৰ পৰা ডাকটিকট কিনি আনিবলৈ গৈছিলা। ওচৰতে শনিবৰীয়া হাট বহা দেখা পালা আৰু হাটত ডাঙৰ ডাঙৰ বৌ মাছ ওলোৱা দেখি তাৰে বৌ মাছ এটাও কিনি আনিলা।

শ্ৰীশঙ্কৰদেৱৰ 'গহীন গম্ভীৰ ধীৰমতি।' শ্ৰীচৈতন্যদেৱৰ স্বভাৱতে তাৰে ওলোটা। তেওঁ বিশ্বম্ভৰ বা নিমাই হৈ থাকোতে গঙ্গাতীৰত গঙ্গাত পূজা দিবলৈ যোৱা বামুণী ছোৱালীবোৰৰে সৈতে উৎকট বা উচ্ছৃঙ্খল ধেমালি বা লীলা কৰিছিল।

"কভু শিশু সঙ্গে স্নান করেন গঙ্গাতে।
কন্যাগণ আইলা তাহা দেবতা পূজিতে॥
গঙ্গা স্নান করি পূজা করিতে লাগিল।
কন্যাগণ মধ্যে প্রভু আসিয়া বসিল॥
কন্যাগণে কহে আমা পূজ আমি দিব বর।
গঙ্গা দুর্গা দাসী মোর মহেশ কিঙ্কর॥
আপনি চন্দন পরি পরেন ফুলমালা।
নৈবেদ্য কাড়িয়া খান সন্দেশ চালু কলা॥
ক্রোধে কন্যাগণে কহে শুনহে নিমাই।
গ্রাম সম্বন্ধে তুমি আমা সবাকার ভাই॥
আমা সভার পক্ষে ইহা করিতে না যুয়ায়।
না লহ দেবতাসজ্জ নাকর অন্যায়॥
প্রভু কহে তোমাসবাকে দিল এই বর।
তোমা সভার ভর্ত্তা হবে পরম সুন্দর॥
পণ্ডিত বিদগ্ধ যুবা ধন ধান্যবান।
সাত সাত পুত্র হৈবে চিরায়ু মতিমান॥
বর শুনি কন্যাগণের অন্তরে সন্তোষ।
বাহিরে ভর্ৎসনা করে করি মিথ্যারোষ॥"

এইবোৰ চুপতি ভাল নোপোৱা কোনো কোনো-জনী পলাই গলত, সিহঁতক আগচি ধৰি মাতি আনি আকৌ উৎকট চুপতি—

"কোন কন্যা পলাইল নৈবেদ্য লইয়া।
তারে ডাকি প্রভু কহে সক্রোধ হইয়া॥
যদি মোরে নৈবেদ্য নাদেহ হইয়া কৃপনী।
বুড়া ভর্ত্তা হবে আর চারি চারি সতিনী॥"

সৰল ছোৱালী। এনে কথাত ভয় খাবৰ কথাই।

"ইহা শুনি তা সভার মনে হৈল ভয়।
কোন কিছু জানে কিবা দেবাধিষ্ঠ হয়॥"

ভয় খাই, নৈবেদ্য আগত দি গুচি গল। ইয়াৰ পিছত বল্লভাচাৰ্য্যৰ জীয়েক লক্ষ্মীৰে সৈতে ধেমালি। এই ধেমালি কিন্তু Serious। বাইৰণ, কীটছৰ সকলোতে হোৱা Love affair Erratic genius-ৰ মুচিতে পকা ব্যাপাৰ। এই লক্ষ্মীৰে সৈতে পিছত তেওঁৰ বিয়া হয়। কিন্তু তেতিয়াই Love at first sight আৰু courtship.

"একদিন বল্লভাচার্য্যের কন্যা লক্ষ্মী নাম।
দেবতা পূজিতে আইলা করি গঙ্গাস্নান॥
তারে দেখি প্রভুর হৈ সাভিলাষ মন।
লক্ষ্মী প্রীতি পাইলা পাই প্রভুর দর্শন॥
সাহজিক প্রীতি দোহার হইল উদয়।
বাল্য ভাবাচ্ছন্ন তনু হইলা নিশ্চয়॥
দোহে দেখি দোহার চিত্তে হইল উল্লাস।
দেব পূজাচ্ছলে দোহে করেন প্রকাশ॥
প্রভু কহে আমা পূজ আমি মহেশ্বর।
আমাকে পূজিলে পাবে অভীপ্সিত বর॥
লক্ষ্মী তার অঙ্গে দিল সপুষ্প চন্দন।
মল্লিকার মালা দিয়া করিল বন্দন॥"

—চৈতন্য চরিতামৃত

Precocious অৰ্থাৎ মুচিতে পকা কঠালৰ Oriental style of courtship এইটো।

অদ্বৈত আচাৰ্য্য বঙ্গীয় বৈষ্ণৱসকলৰ মতে মহা বিষ্ণুৰ অৱতাৰ সাক্ষাত ঈশ্বৰ।

"অদ্বৈত আচার্য্য গোসাঞি সাক্ষাত ঈশ্বর।
যাহার মহিমা নহে জীবের গোচর॥
মহাবিষ্ণু সৃষ্টি করেন জগদাদি কার্য্য।
তার অবতার সাক্ষাৎ অদ্বৈত আচার্য্য॥
আপুনে পুরুষ বিশ্বের নিমিত্ত কারণ।
অদ্বৈতরূপে উপাদান হয় নারায়ণ॥
নিমিত্তাংশে করে তেহোঁ মায়াত ঈক্ষণ।
উপাদান অদ্বৈত করেন ব্রহ্মাণ্ড সৃজন॥
অদ্বৈত আচার্য্য কোটি ব্রহ্মাণ্ডের কর্ত্তা।
আর এক এক মূর্ত্ত্যে ব্রহ্মাণ্ডের ভর্ত্তা॥"

আৰু যি ব্ৰহ্মাণ্ডৰ ঈশ্বৰ অদ্বৈতাচাৰ্য্যই "হুঙ্কাৰ কৰি" চৈতন্যক গোলোকৰ পৰা নদীয়ালৈ নমাই আনি তাত অৱতাৰ ধৰাইছিল, সেই অদ্বৈতই চৈতন্যক কৃষ্ণৰ অৱতাৰ বুলি চিনিব নোৱাৰাত আৰু সন্দেহ কৰাত চৈতন্যই অদ্বৈতক literally "প্ৰহাৰেণ" অদ্বৈতৰ মূৰত সেই চিনাকি সুমাই দিছিল।

"A most important follower acquired in these days by the future Chaitanya was Adwaitacharya, an elderly Vaishnavite pandit and scholar. He had frequent opportunities of seeing Viswambhara in his trances and had vision of him as Srikrishna. His cultivated mind however doubted, and it was reserved to Viswambhara in one of his moods, to proceed to his Village Santipur, some miles down the Ganges, from Nuddea and literally beat the truth of his divine nature into the head of Adwaita. The holy man, it is said, took the chastisement as a most pleasurable exercise and was duly and thoroughly cured of his lingering scepticism".

—Vaishnavite Reformers of India.

এইবোৰ কথা আৰু দিনে-ৰাতিয়ে কৃষ্ণ প্ৰেমত প্ৰলাপ বকা, আৰু যতে ততে নদী আৰু পৰ্ব্বত দেখি তাক যমুনা আৰু গোবৰ্দ্ধন বুলি একেবাৰেই ভ্ৰম কৰা, আৰু গঙ্গা আৰু সাগৰক যমুনা বুলি তাত জাপ দিয়া ইত্যাদি কাৰ্য্যই চৈতন্যৰ প্ৰতি বিদেশী পণ্ডিত আৰু স্বদেশী আন আন সম্প্ৰদায়ৰ বিচক্ষণ মানুহৰ মুখৰ পৰাও megalomaniac বচন উলিয়ায়। আনকি চৈতন্যদেৱে নিজেও সেই কথা অনেক বাৰ স্বীকাৰ কৰিছে। ৰামানন্দ ৰায়ক তেওঁ কৈছিল—

"আমি এক বাতুল তুমি দ্বিতীয় বাতুল।
অতএব তোমায় আমায় দুই সমতুল।।"

কৈশোৰত চৈতন্যই টোল খুলি লৰা পঢ়াইছিল। তাতো এই অধ্যাপকৰ ঔদ্ধত্যৰ অন্ত নাছিল।

"বিবিধ ঔদ্ধত্য কৰে শিষ্যগণ সঙ্গে"
"শিষ্যগণ লৈয়া পুনঃ বিদ্যাৰ বিলাস।
বিদ্যাবলে সবা জিনি ঔদ্ধত্য প্ৰকাশ।।"

এই সময়তে তেওঁৰ বিষ্ণুপ্ৰিয়াৰে সৈতে দ্বিতীয় বাৰ বিবাহ।

"যৌবন প্ৰবেশে অঙ্গের অঙ্গ-বিভূষণ।
দিব্য বস্ত্ৰ দিব্য বেশ মাল্য চন্দন।।
বিদ্যৌদ্ধত্যে কাহা কেহো নাকৰে গণন।
সকল পণ্ডিত জিনি কৰে অধ্যাপন।।

বায়ুব্যাধিছলে কৰে প্ৰেম পৰকাশ।
ভক্তগণ লৈঞা কৈল বিবিধ বিলাস।।
তবে ত কৰিলা প্ৰভু গয়াতে গমন।
ঈশ্বৰপুৰীৰ সঙ্গে তথাই মিলন।।
দীক্ষা অনন্তৰে কৈল প্ৰেম পৰকাশ।
দেশে আগমন পুনঃ প্ৰেমের বিলাস।।
শচীকে প্ৰেমদান তবে অদ্বৈত মিলন।
অদ্বৈত পাইল বিশ্বৰূপ দৰশন।।
প্ৰভুৰ অভিষেক তবে কৰিলা শ্ৰীবাস।
খাটে বসি প্ৰভু কৈল ঐশ্চৰ্য্য প্ৰকাশ।।
তবে নিত্যানন্দ স্বৰূপেৰ আগমন।
প্ৰভুকে মিলিয়া পাইল ষড়ভুজ দৰ্শন।।
প্ৰথমে ষড়ভুজ তাঁৰে দেখাই ঈশ্বৰ।
শঙ্খ চক্ৰ গদা পদ্ম শাৰ্ঙ্গ বেণুধৰ।।
পাছে চতুৰ্ভুজ হৈল তিন অঙ্গ বক্ৰ।
দুই হস্তে বেণু বাজায় দুই হস্তে শঙ্খ চক্ৰ।।
তবে ত দ্বিভুজ কেবল শশীবদন।
শ্যাম অঙ্গ পীত বস্ত্ৰ ব্ৰজেন্দ্ৰনন্দন।।
তবে নিত্যানন্দ গোসাঞিৰ ব্যাস পূজন।
নিত্যানন্দ আবেশে কৈল মুষল ধাৰণ।।
তবে শচী দেখিলে ৰামকৃষ্ণ দুই ভাই।
তবে নিস্তাৰিল প্ৰভু জগাই মাধাই।।
তবে সপ্ত প্ৰহৰ প্ৰভু ছিলা ভাবাবেশে।
যথা তথা ভক্তগণ দেখিল বিশেষে।।
বৰাহ আবেশ হৈলা মুৰাৰি ভবনে।
তাৰ স্কন্ধে চড়ি প্ৰভু নাচিলা অঙ্গনে।।

এইবোৰ একেবাৰে তেওঁ ৰাধাভাবাপন্ন হৈ কৃষ্ণপ্ৰেম আস্বাদন কৰাৰ আগৰ কাৰ্য্য।

"Religious paraniacs have many visual and auditory hallucinations. This is provoked by the morbid contractability of the neurous of the brain due to toxins originating from bacterial infection or the abnormal endogamous secretory products, or certain drugs as Belladona, Dhutura, Ganja, Hashis and others of similer kind".

"The megalomaniacs puffed up with idea of their exaggerated self-importance, feel in their mind that every one is jealous and envious of them. Hence the idea of persecution is a dominant factor in their mental vision."

"The megalomaniacs are usually proud, haughty and disdainful of others. But this mood does not last long. In turn they become morose, tenebrous, brooding and despondent. Their life is a constant nightmare, only with a few brief interspaces of theomaniac hallucinations when they feel themselves the Lords,

Redeemers and Saviours of mankind. The age of the theomaniacs is not entirely gone. Majority of them are of course in the lunatic asylums and a few are outside if they are harmless enough to be absorbed in their own brooding, but quite a few even in the last century in so-called Civilised communities, established powerful Churches and among these may be mentioned Emmanuel Swedenburg, belonging to an alienated noble family of Sweden, Joseph Smith of Utah and Mrs. Eddy of Concord, Boston. The fact is that wherever there is ignorance and credulity that can be easily imposed upon, the prophets have fertile field for growth. All the theomaniacs are hysteroid degenerated physically and mentally, and if there is degenaracy in the community sufficient to make it contagious by social hypnotism and suggestion, instead of folly, it becomes the popular creed. Opposition or persecution by the minority, simply by the law of social psychological reaction spreads the infection. A degenerate becomes a martyred hero."

এই ইংৰাজী ডোখৰৰ আগতে তুলি দিয়া কাৰ্য্যবোৰৰ অলপ পিছতে নিমাইৰ সন্ন্যাস অৱলম্বন। তাৰ কাৰণ তেওঁ নিজেই কৈছে :—

"মোরে নিন্দা করে যে না করে নমস্কার।
এসব জীবেরে অবশ্য করিব উদ্ধার ॥
অতএব অবশ্য আমি সন্ন্যাস করিব।
সন্ন্যাসীর বুদ্ধে মোরে প্রণত হইব ॥
*
এই দৃঢ় যুক্তি করি প্রভু আছে ঘরে।
কেশব ভারতী আইলা নদীয়া নগরে ॥
*
এত বলি ভারতী গোসাঞি কাটোয়াতে গেলা।
মহা প্রভু তাহা যাই সন্ন্যাস করিলা ॥

—চৈতন্য চরিতামৃত

চৈতন্যই যে সন্ন্যাসত আস্থাবান হৈ সন্ন্যাসী হৈছিল সেইটো নহয়, সেইটো policy অৰ্থাৎ নীতিচাতুৰ্য্য। এইটো তেওঁৰ লীলা হব পাৰে, কিন্তু তাত sincerity নাই; কাৰণ যিবোৰে তেওঁক নামানিছিল, সেইবোৰক মনাবলৈ তেওঁ তেনে ভেশ লৈছিল। তেওঁ যিমানকে strictly অৰ্থাৎ কটকটীয়াকৈ তেওঁৰ জীৱনত সন্ন্যাস ধৰ্ম্ম পালন কৰাটো দেখুৱাওক, সৰ্ব্বতোভাৱে সেই সন্ন্যাস ধৰ্ম্ম তেওঁৰ মনঃপুত যে হোৱা নাছিল, আৰু তাৰ ভালকৈ যে পালিব নোৱাৰিছিল, সেইটো স্পষ্টকৈ দেখা যায়; নহুৱা তেওঁ সন্ন্যাসী সম্প্ৰদায়ৰ নিন্দাভাজন নহলহেঁতেন। সেইটো কাশীৰ প্ৰকাশানন্দ স্বামীৰ কথাতেই ওলাই আছে। চৈতন্যই সেই কথা ভালকৈ জানিছিল। তেওঁ যে নাভাবি নিচিন্তি বগুলাত কৰৱ নিচিনা "খেয়ালের চোটে" হঠাৎ সন্ন্যাস ললে সেইটো তেওঁ নিজেও সৈ কাঢ়িছে—

"যদ্যপি সহসা আমি করিয়াছি সন্ন্যাস।
তথাপি তোমা সভা হৈতে নহিব উদাস ॥
তোমা সভা নাছাড়িব যাবৎ আমি জীব।
মাতারে তাবৎ আমি ছাড়িতে নারিব ॥
সন্ন্যাসীর ধর্ম্ম নহে সন্ন্যাস করিয়া।
নিজ জন্মস্থানে রহে কুটুম্ব লইয়া ॥
কেহ যেন এই বোলে না করে নিন্দন।
সেই যুক্তি কহ যাতে রহে দুই ধর্ম্ম ॥"

এই বুলি মাকলৈ তেওঁ কৈ পঠিয়াইছিল। মাকে পুতেকলৈ উত্তৰ দি পঠিয়ালে—

"শুনি শচী জগন্মাতা কহিতে লাগিলা।
তেহো যদি ইহা (নদীয়াত) রহে তবে মোর সুখ।
(কিন্তু) তার নিন্দা হয় যদি সেহো মোর দুখ ॥
তাতে এই যুক্তি ভাল মোর মনে লয়।
নীলাচলে রহে যদি দুই কাৰ্য্য হয় ॥
নীলাচলে নবদ্বীপে যৈছে দুই ঘর।
লোক গতাগতি বার্ত্তা পাবু নিরন্তর ॥"

পুৰীৰ ৰজা প্ৰতাপৰুদ্ৰই চৈতন্যৰে সৈতে সাক্ষাৎ কৰিব খুজিছিল আৰু সাৰ্ব্বভৌমকে আদি কৰি অনেকে চৈতন্যক ৰজাৰে সৈতে দেখা কৰাবলৈ চেষ্টা কৰিছিল, কিন্তু চৈতন্যই "মই সন্ন্যাসী ৰাজদৰ্শন নকৰোঁ, কৰিব নাপায়", বুলি অমান্তি হৈছিল। শেহত ৰামানন্দ ৰায়ৰ অনেক যত্নতহে চৈতন্য মান্তি হৈছিল।

"সার্ব্বভৌম কহে এই প্রতাপরুদ্র রায়।
উৎকণ্ঠিত হয়া তোমা মিলিবারে চায় ॥
কর্ণে হস্ত দিয়া প্রভু স্মরে নারায়ণ।
সার্ব্বভৌম কহ কেন অযোগ্য বচন ॥
সন্ন্যাসী বিরক্ত আমার রাজদরশন।
স্ত্রী দরশন সম বিষের ভোজন ॥
সার্ব্বভৌম কহে সত্য তোমার বচন।
জগন্নাথ সেবক রাজা কিন্তু ভক্তোত্তম ॥
প্রভু কহে তথাপি রাজা কালসর্পাকার।
কাষ্ঠনারী স্পর্শে যৈছে উপজে বিকার ॥"

ইয়াৰ পিছত ৰামানন্দ ৰায়ে চেষ্টা কৰি নোৱাৰি ৰজাক কৰত ধৰাই কলে—

"পাপী নীচ উদ্ধারিতে তাঁর অবতার।
শুনি জগাই মাধাই তেঁহো করিলা উদ্ধার ॥

প্ৰতাপৰুদ্ৰ ছাড়ি কৰিবেন জগৎ উদ্ধাৰ।
এই প্ৰতিজ্ঞা কৰি জানি কৰিয়াছেন অৱতাৰ ॥"

ইয়াৰ পিছত ৰামানন্দই আৰু চেষ্টা কৰিলত চৈতন্যই কলে—

"প্ৰভু কহে ৰামানন্দ কহ বিচাৰিয়া।
ৰাজাৰে মিলিতে জুয়ায় সন্ন্যাসী হইয়া ॥
ৰাজাৰ মিলনে ভিক্ষুৰ দুই লোক নাশ।
পৰলোক ৰহু ইহলোকে উপহাস ॥
ৰামানন্দ কহে তুমি ঈশ্বৰ স্বতন্ত্ৰ।
কাৰে তোমাৰ ভয় তুমি নহ পৰতন্ত্ৰ ॥
প্ৰভু কহে আমি মনুষ্য আশ্ৰমে সন্ন্যাসী।
কায়মনোবাক্যে ব্যবহাৰে ভয় বাসি ॥
সন্ন্যাসীৰ অল্প ছিদ্ৰ সৰ্ব্বলোকে গায়।
শুক্লবস্ত্ৰে মসিবিন্দু যৈছে না লুকায় ॥

তাৰ পিছত ৰামানন্দ কৃতকাৰ্য্য হল। চৈতন্যেৰে সৈতে প্ৰতাপৰুদ্ৰৰ সাক্ষাৎ কৰালে।

কাশীত তেতিয়া সন্ন্যাসীসকলৰ প্ৰাধান্য। চৈতন্য কাশীলৈ আহোঁতে তেওঁক বিপ্ৰসকলে খাবলৈ নিমন্ত্ৰণ কৰিলে। তেওঁ সন্ন্যাসাশ্ৰমী, সেইদেখি সন্ন্যাসীসকলৰ ভয়ত বিপ্ৰসকলৰ নিমন্ত্ৰণ ৰক্ষা নকৰা হল আৰু আজি মোৰ নিমন্ত্ৰণ আন ঠাইত, এনেকৈ বঞ্চনা কৰি তেওঁলোকৰ হাত সাৰিবলৈ ধৰিলে।

"বিপ্ৰসব নিমন্ত্ৰণ প্ৰভু নাহি মানে।
প্ৰভু কহে আজি মোৰ হয়েছে নিমন্ত্ৰণে ॥
এইমত প্ৰতি দিন কৰেন বঞ্চন।
সন্ন্যাসীৰ সঙ্গভয়ে নামানে নিমন্ত্ৰণ ॥"

এদিন কাশীৰ প্ৰখ্যাত পণ্ডিত প্ৰকাশানন্দই তেওঁৰ শিষ্যসকলক বেদান্ত পঢ়াই থাকোঁতে এজন বিপ্ৰ ছাত্ৰৰে আহি প্ৰকাশানন্দক চৈতন্য নামৰ সন্ন্যাসী এজন কাশীলৈ অহাৰ কথা কলত,

"শুনিয়া প্ৰকাশানন্দ বহুত হাসিলা।
বিপ্ৰে উপহাস কৰি কহিতে লাগিলা ॥
শুনিয়াছি গৌড়দেশে সন্ন্যাসী ভাবক।
কেশবভাৰতীৰ শিষ্য লোক প্ৰতাৰক ॥
চৈতন্য নাম তাৰ ভাবকগণ লইয়া।
দেশে গ্ৰামে গ্ৰামে বুলে নাচাইয়া ॥

*

সন্ন্যাসী নাম মাত্ৰ মহা ইন্দ্ৰজালী।
কাশীপুৰে না বিকাবে তাৰ ভাব কালী ॥
বেদান্ত শ্ৰবণ কৰ না যাইহ তাৰ পাশ।
উচ্ছৃঙ্খল লোক সঙ্গে দুই লোক নাশ ॥"

চৈতন্যই কাশী এৰি মথুৰালৈ যাবৰ সময়ত কৈছিল—

"ভাব কালি বেচিতে আমি আইলাম কাশীপুৰে।
গ্ৰাহক নাহি না বিকায় লইয়া যাব ঘৰে ॥
ভাৰী বোঝা লইয়া আইলাম কেমনে লইয়া যাব।
অল্প-স্বল্প মূল্য পাইলে হেথাই বেচিব ॥
এত বলি বিপ্ৰে আত্মসাথ কৰি।
প্ৰাতে উঠি মথুৰা চলিলা গৌৰহৰি।"

চৈতন্যই নিজেও স্বীকাৰ কৰিছিল—

"শ্ৰীকৃষ্ণ চৈতন্য বাক, দৃঢ় কৰি মানি।
কলিকালে সন্ন্যাসে সংসাৰ নাহি জিনি ॥
ভক্তি বিনা মুক্তি নহে ভাগৱতে কয়।
কলিকালে নামাভাষে সুখে মুক্তি হয় ॥"

—চৈতন্য চৰিতামৃত

শ্ৰীশঙ্কৰদেৱৰ গ্ৰন্থত মুক্তিৰ কথা দেখিয়েই শ্ৰুতি হেৰুৱাসকলে ওপৰৰ পদ্যৰ শেহৰ দুশাৰীত চকু দিয়ক।

এতিয়া স্পষ্ট দেখা গল যে যদিও কলিত নাম-ধৰ্ম্ম প্ৰচাৰ কৰি জীৱক উদ্ধাৰ কৰিবলৈ শ্ৰীশঙ্কৰ, শ্ৰীচৈতন্য দুয়ো দুখন সুকীয়া দেশত অৱতাৰ হৈছিল, তেওঁলোকৰ স্বভাৱ ভেদত ধৰ্ম্ম-প্ৰচাৰৰ প্ৰণালী সুকীয়া হল আৰু শেহত অৱস্থা আৰু পাৰম্পৰিকৰূপে ঘটা ঘটনাৰ ঘাত-প্ৰতিঘাতৰ ফলত অনেক কাৰ্য্যত আৰু অনেক ঠাইত মূলগত পাৰ্থক্যই সঙঘটিত হৈ উঠিল। এনে অৱস্থাত চৈতন্যৰ ধৰ্ম্মহে সত্য আৰু বিশুদ্ধ আৰু শ্ৰীশঙ্কৰৰ ধৰ্ম্ম অসত্য আৰু অশুদ্ধ এনে সিদ্ধান্ত কৰাটো দুৰ্ঘোৰ মূৰ্খতা।

'বৈষ্ণৱ ও বিষ্ণুপূজক' গ্ৰন্থকাৰে কৈছে "আমৰা বিষ্ণুপূজক মাত্ৰকেই বৈষ্ণৱ পৰ্য্যায়ে গণ্য কৰিয়া থাকি। কিন্তু ইহা সম্পূৰ্ণ ভুল। বৈষ্ণৱে ও বিষ্ণু-পূজকে আকাশ পাতাল প্ৰভেদ। বৈষ্ণৱ মাত্ৰই বিষ্ণুপূজক, কিন্তু বিষ্ণুপূজক মাত্ৰই বৈষ্ণৱ নহেন।" লেখকে এই বুলি চুলিডালকে দুফাল কৰি দেখুৱাবলৈ গৈছে। আমি কওঁ, বৈষ্ণৱ আৰু বিষ্ণুপূজকৰ মাজত পাৰ্থক্যটো, ইংৰাজীত কবৰ নিচিনা, difference between tweedledam and tweedledee অৰ্থাৎ আমাৰ থকম্বা মাতেৰে কবলৈ গলে হয় "মাছ আৰু জিজি" অথবা "ভাত আৰু মাম"। কথাৰ ভিতৰত কুতৰ্ক সুমাই লৈ আত্মপ্ৰতিষ্ঠা কৰিবলৈ গলে দাম্ভিক তাকিকে এনেকুৱাকে কৰে। তেওঁ শব্দটোৰ ধাতু-প্ৰত্যয় উলিয়াই কৈছে—"বিষ্ণু শব্দে ষষ্ণ্য প্ৰত্যয় কৰিয়া বৈষ্ণৱ শব্দটি নিষ্পণ্ণ হইয়াছে। ষষ্ণ্য সম্বন্ধবাচক প্ৰত্যয়। বিষ্ণুৰ জন অৰ্থে বৈষ্ণৱ। ....বৈষ্ণৱগণ সম্বন্ধজ্ঞান

প্ৰভাবে কৃষ্ণের সচ্চিদানন্দ বিগ্ৰহ স্বীকার করেন, কৃষ্ণ প্ৰীত্যাৰ্থে সমুদায় কাৰ্য্য করিয়া থাকেন।” আমিও কওঁ, ঠিক কথা। ইয়াৰ পিছত তেওঁ কৈছে —“অপ্ৰাকৃত বিচারাবলম্বনে বৈষ্ণবগণ কৃষ্ণের সচ্চিদানন্দ বিগ্ৰহ স্বীকার করিয়া আস্তিকতার সহিত কৃষ্ণভজন করেন, আর প্ৰাকৃত বিচারাবলম্বনে বিষ্ণুপূজকগণ শ্ৰীভগবানের নিৰ্ব্বিশেষত্ব কল্পনা-পূৰ্ব্বক নাস্তিকতাৱ সহিত কৃষ্ণভজনে নিযুক্ত হন।” গ্ৰন্থকাৰৰ এই কথা, তৰ্কশাস্ত্ৰ-মহাব্যাগ্ৰীৰ বৰপুতেকৰ কথা। চৈতন্য সম্প্ৰদায়ভুক্ত ঠেক মনৰ মানুহবোৰে এনে গঢ়ৰ চুলি-ফলা কথাকে ফেণাই ফেণাই নিজৰ সম্প্ৰদায়ক ডাঙৰ কৰি দেখুৱাই, ভিন্ন সম্প্ৰদায়বোৰক সৰু পাতি এইদৰে সুখ পায়। আমি সোধোঁ, পূজা মানে কি ? পূজা মানে অৰ্চ্চনা নহয় নে ? অৰ্চ্চনা কৃষ্ণৰ ন বিধ ভক্তিৰ ভিতৰৰ এবিধ নহয় নে ?—

“শ্ৰবণং কীৰ্ত্তনং বিষ্ণোঃ স্মৰণং পাদসেবনং।
অৰ্চ্চনং বন্দনং দাস্যং সখ্যমাত্মনিবেদনং ॥
ইতি পুংসাৰ্পিতা বিষ্ণৌ ভক্তিশ্চেন্নৱ লক্ষণা।
ক্ৰিয়তে ভগবত্যদ্ধা তন্মন্যেহধীতমুত্তমম্ ॥”

শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদসেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিবি দেহা অৰ্পণ ॥
নৱ বিধ ভক্তি বিষ্ণুত আচৰে
সেহিসে পাঠ উত্তম।”

বিষ্ণু অৰ্থাৎ কৃষ্ণভক্তই কৃষ্ণ অৰ্থাৎ বিষ্ণুৰ সুপ্ৰীতিৰ অৰ্থে বিষ্ণুক কায়মনোবাক্যে পূজা বা ভক্তি কৰে।

“তস্মিন্ প্ৰীতিস্তস্য প্ৰিয়-কাৰ্য্য-সাধনঞ্চ তদুপাসনামেৱ।” যি নিজৰ ধন, মান, ঐশ্বৰ্য্য বিভূতিৰ নিমিত্তে বিষ্ণুপূজা কৰে, সেই পূজা আত্মপূজা বা বা স্বাৰ্থপূজা। তেনে কৰোঁতাজনে ৰাজসেৱক চাকৰৰ দৰে নিজৰ ল’ৰা-ছোৱালী তিৰুতাক পুহিবৰ নিমিত্তে বা নিজৰ পেট পুহিবৰ নিমিত্তে বিষ্ণুক পূজা কৰে। সেই পূজাক বিষ্ণুপূজা বুলিব নোৱাৰি।

“বাচন্ত ফল তবু কৰি কৃত্য।
সিটো বাণিজ্যাৰ নোহো ভৃত্য ॥
তোমাৰ অকাম ভৃত্য আমি।
তুমিও নিষ্কাম মোৰ স্বামী ॥
নাহি কাম আমাৰ অন্যথা।
নুহি ৰাজসেৱকৰ যথা ॥” —শঙ্কৰদেৱ

এতেকে যি বিষ্ণুৰ সুপ্ৰীতি কামনা কৰি পূজা কৰে তেৱেঁইহে বিষ্ণুপূজক। সেই বিষ্ণুপূজকেই বৈষ্ণৱ। সেই বৈষ্ণৱেই বিষ্ণুপূজক। এই দুটা শব্দ লৈ আনক নিন্দা কৰিবৰ ছিদ্ৰ নিবিচাৰোঁতাই এডাল চুলিকে কাল কাল কৰি দেখুৱাবলৈ নাযায়, আৰু বৃথা কথা কৈ নবলকে। প্ৰকৃত বিষ্ণুপূজকেই বৈষ্ণৱ, আত্মপূজক বা স্বাৰ্থপূজক বিষ্ণুপূজক বা বৈষ্ণৱ নহয়। শ্ৰীযুত নৰেশচন্দ্ৰ দাস ওৰফে নিমাইচান্দ দাসে বিষ্ণুপূজকৰ ভ্ৰান্ত অৰ্থ কৰি অনা-হকতে পৰম বৈষ্ণৱ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱক নাস্তিক পৰ্য্যন্ত বুলি নিজৰ মূৰ্খতাৰ প্ৰমাণ দিছে। পাৰোঁতে জানো এনেকুৱা সকলক সূচকসকলে—

“উটে যেন কণ্টক চোবাই আতি মবে।
ভাৱ পাই গৰ্দ্দভে আনন্দ যেন কৰে ॥”

এনেকুৱা প্ৰাণীৰ শাৰীত থবলৈ যায়—অৰণ্যে অন্যায় কৰি।

শ্ৰীমদ্ভাগৱতত কৈছে বিষ্ণুৱে অৰ্থাৎ কৃষ্ণইহে মুক্তি দিব পাৰে, আন দেৱতাই দিব নোৱাৰে। সেইদেখি দ্বিতীয় খাপৰ বৈষ্ণৱে অৰ্থাৎ চৈতন্যই ব্যৱহাৰ কৰা শব্দেৰে কবলৈ গলে “বৈষ্ণব, বৈষ্ণব-তব” বিষ্ণুভক্তই যদি বিষ্ণুক মুক্তি খুজিলে তাত দোষ কি ? এই সংসাৰৰ ক্লেশৰ পৰা, এই ভৱ-বন্ধনৰ পৰা মুক্ত হবলৈ কোন ভক্তই নিবিচাৰে ?

“নিবার, নিবার, প্রাণের ক্রন্দন,
কাটহে, কাটহে, এ মায়া বন্ধন,
রাখ রাখ চরণে মতি হে ॥” —ৰবীন্দ্ৰনাথ

এই বুলি কাকূতি কৰি, জন্ম-মৃত্যু শোক-পীড়াৰ পৰা মুক্ত হৈ ঈশ্বৰৰ কাষ পাই ঈশ্বৰৰ “আসন তলে, মাটির পরে, লুটায়ে রব। তব চরণতলে ধূলায় ধূলায় ধূসর হব” (ৰবীন্দ্ৰনাথ) কোন ভক্তই ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা নকৰিব কোন প্ৰকৃত ভক্তই—

“কিমতে ভকতি কৰিবো তোমাক হৰি এ,
মই মূঢ়মতি নাজানো তাৰ উপায়।
অভয় চৰণে শৰণ পশিলো হৰি এ,
তুৱা গুণ-নাৰ ভকতি প্ৰদীপ চাওঁ।
ভকতি মিনতি প্ৰণতি নাজানো হৰি এ,
মোত পৰে জ্ঞানশূন্য হীনমতি নাই।
তুমি প্ৰভু কৃপাময়ৰ সাগৰ হৰি এ,
দিয়ো মোক তুৱা পদ ছায়া তলে ঠাই ॥”

—মাধৱদেৱ

এইদৰে ঈশ্বৰৰ ওচৰত কাকূতি নকৰিব ? ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰি first step অৰ্থাৎ প্ৰথম goal অৰ্থাৎ শীৰাত মুক্তি নলভিলে, তোমাৰ সেৱা-সুখ লাভেই বা হব কেনেকৈ ?

তুমি যে হৰিৰ মায়াতে বদ্ধ জীৱ। প্ৰথমতে তুমি হৰিৰ চৰণত প্ৰাৰ্থনা কৰি হৰিৰ মায়াপাশৰ বন্ধন কটোৱা।

"হৰিৰ মায়াৰ পাশে জীৱ ভৈল বন্দী।
ই তিনি ভুৱনে পলাইবাৰ নাহি সন্ধি॥
গুণিছাহা মন তুমি এড়াইবাক মনে।
কাণ্ডোৱাল গোবিন্দৰ ধৰিয়ো চৰণে॥"

—মাধৱদেৱ

তোমাৰ হাতত স্বৰাজ নাই, স্বাধীনতা নাই, অথচ তুমি ৰজা হবলৈ বিচাৰিছা। ইয়াক বোলে "Putting the cart before the horse" অৰ্থাৎ ঘোঁৰাৰ আগত গাড়ীখন দি ঘোঁৰাক গাড়ীখন টানিবলৈ কৈছা। সনক, সনাতন আদি চাৰি সিদ্ধই আৰু নাৰদ শুকদেৱ আদিয়ে প্ৰথমতে মুক্তি লাভ কৰা নাছিল নে? তেনেহলে প্ৰকৃত ওপৰ খাপৰ বৈষ্ণৱ হবলৈ আকাঙ্ক্ষা কৰোঁতাজনক মুক্তি মাগি চাপে চাপে আগবাঢ়িবলৈ উপদেশ দিওঁতা-জনেনো কি নাস্তিকতাৰ কাম কৰিলে? অৱশ্যে ওখ খাপৰ একান্ত ভক্ত মুক্তিত নিস্পৃহ। তেওঁৰ স্পৃহা ঈশ্বৰৰ সেৱাতহে। শ্ৰৱণ কীৰ্ত্তন দাস্য আদি ভক্তিতহে। এই কথা, এই শিক্ষা শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱে তেওঁলোকৰ গ্ৰন্থৰ পাতে পাতে দিব লাগিছে আৰু সেইটোহে আচল বৈষ্ণৱভক্তৰ আকাঙ্ক্ষাৰ বস্তু, এইটোও বিঙিয়াই বিঙিয়াই কৈছে। (নিমাইচান্দে সেইবোৰলৈ কাণ নিদি মহাবৈষ্ণৱক নিন্দা কৰি সেইবোৰ ৰলকি জহন্নামলৈ যাবলৈ ওলাইছে কিয়?) মোক্ষৰ মানে শাস্ত্ৰত কি কৈছে চোৱাঁ। শ্ৰীমদ্ভাগৱতৰ দ্বিতীয় স্কন্ধৰ প্ৰথম অধ্যায়ৰ ষষ্ঠ শ্লোকত লেখিছে—

"নিৰোধোঽস্যানুশয়নমাত্মনঃ সহ শক্তিভিঃ।
মুক্তিৰ্হিত্বান্যথা ৰূপং স্বৰূপেন ব্যৱস্থিতঃ॥"

অৰ্থাৎ শুকদেৱে পৰীক্ষিতক কৈছে যে যেতিয়া ভগৱন্তই মহাপ্ৰলয়ৰ সময়ত যোগনিদ্ৰা আশ্ৰয় কৰে, তেতিয়া জীৱৰ আত্মোপাধিৰে সৈতে যি লয় হয় তাক নিৰোধ কয়। আৰু অবিদ্যাজনিত অহঙ্কাৰ প্ৰভৃতি বিসৰ্জ্জন দি বিশুদ্ধ জীৱস্বৰূপে যি অৱস্থিতি তাৰ নাম মুক্তি। শ্ৰীশঙ্কৰদেৱে সৰ্ব্বসাধাৰণৰ আৰু সাধাৰণ বিষ্ণুভক্তৰ নিমিত্তে যি মুক্তিৰ কথা কৈছে, এই মুক্তি। ভাগৱতৰ প্ৰথম স্কন্ধৰ দ্বিতীয় অধ্যায়ৰ ২৬ শ্লোকত লেখিছে—

"মুমুক্ষৱো ঘোৰৰূপান্ হিত্বা ভূতপতীনথ।
নাৰায়ণকলাঃ শান্তা ভজন্তিহ্যনসূয়ৱঃ॥"

অৰ্থাৎ মুমুক্ষুসকলে তমোগুণযুক্ত ভূতপতিসকলক বিসৰ্জ্জন দি, অন্যদেৱতাক অসূয়া নকৰি প্ৰশান্তমূৰ্ত্তি নাৰায়ণৰ কলাক ভজনা কৰে।

কিন্তু মুক্তি লাভ কৰিও একান্ত ভকতে তাত সন্তুষ্ট নাথাকি হৰিসেৱা, হৰি-গুণ নাম শ্ৰৱণ কৰি ভক্তিপ্ৰেমানন্দৰস সাগৰত মজি থাকিবলৈহে বাঞ্ছা কৰে।

"মুকুতিকো এৰি নাৰদ ঋষি।
হৰিনাম লৈয়া অতি হৰিষি॥
ফুৰন্ত মাধৱৰ গুণ গাই।
বোলন্ত হৰি বিনে গতি নাই॥" —কীৰ্ত্তন

"ঐকান্তিক মহামুনি যত নিৱৰ্ত্তিয়া বিধি নিষেধত
নিৰ্গুণ ভাৱত স্থিতি হয়া নিৰন্তৰে।
জানি পুৰুষাৰ্থ সাৰতত্ত্ব কৃষ্ণ-কথামৃত সাগৰত
কথনে মথনে সদায় ৰমণ কৰে॥" —ঘোষা

"একান্ত ভকত যাৰা হয় কিছু অৰ্থ তাৰা নবাঞ্ছয়,
মহা অদভুত হৰি-গুণ নামময়।
পৰম মঙ্গল কৃষ্ণ-যশ যাত পৰে আন নাহি ৰস
পৰম আনন্দ সমুদ্ৰে মজি ৰহয়॥" —ঘোষা

ঘোষাত মহাপুৰুষে, জ্ঞানী, মুমুক্ষ আৰু একান্ত ভকতৰ লক্ষণ, প্ৰভেদ আৰু ফল এই বুলি দেখুৱাইছে:

"অবিদ্যাজনিত সুখ সত্যলোক আদি কৰি
তাত নিৰপেক্ষ নিৰন্তৰ।
কেৱল চিদাঙ্গ শুদ্ধি কৰণেসে মাত্ৰ জানা
পুৰুষাৰ্থ মুমুক্ষু জনৰ॥
বিদ্যা অবিদ্যাজন্য সুখে নিৰপেক্ষ হয়া
কৰিল আপন মন স্থিৰ।
বাসুদেৱময় মাত্ৰ সকল জগত ইটো
পুৰুষাৰ্থ জানিবা জ্ঞানীৰ॥
সমস্ত সুখক ত্যজি পুৰুষোত্তমৰ প্ৰেম
ভকতিক কৰিল আশ্ৰয়।
ভকতসবৰ এহি পুৰুষাৰ্থ মনোনীত
তাত সুখ অধিকে পাৱয়॥
মুমুক্ষুজনৰ যেবে অবিদ্যাজনিত সুখে
বিৰকতি ভৈল অতিশয়।
কেৱল আত্মাত মাত্ৰ সদায় ৰমণ কৰে
তেবে বিধি কিঙ্কৰ শুচয়॥
জ্ঞাননিষ্ঠ জনে বিদ্যা অবিদ্যাজনিত দুয়ো
সুখে বিৰকতি ভৈল যেবে।
বাসুদেৱময় মাত্ৰ দেখয় জগত ইটো
বিধিৰ কিঙ্কৰ শুচে তেবে॥
পুৰুষোত্তমৰ প্ৰেম ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিল যিটোজন।
শৰণ কাজৰ পৰা বিধিৰ কিঙ্কৰ শুচি
কৰে সদা শ্ৰৱণ-কীৰ্ত্তন॥"

মুক্ত পুৰুষ শুকদেৱে কৈছে—

"শুক নিগদতি পৰীক্ষিত   যদি আমি নিৰ্গুণত স্থিত
তথাপি উত্তম শ্লোকৰ মহিমাগুণে,
কৰিলেক মোৰ বশ্য চিত্ত   ভাগৱত গ্ৰন্থ বিপৰীত
পৰম আনন্দে পঢ়িলো মই আপুনে ॥"

মহাপুৰুষে ঘোষাত কৈছে—

"মোক্ষ আদি কৰি সুখ   ঈশ্বৰ সেৱাৰ জানা
অণু একো নুহি সমসৰ।
এই হেতু মহাজনে   জানিবা পৰমানন্দ
নাম ধৰি আছন্ত ঈশ্বৰ ॥"
"মুক্তিত নিস্পৃহ যিটো   সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত মস্তকমণি   নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি ॥"

"বৈষ্ণৱ ও বিষ্ণুপূজক" গ্ৰন্থকৰ্ত্তাই কিতাপখনৰ বেটুপাতৰ পাছত তলত তুলি দিয়া চাৰি শাৰী তুলি দি—

"মায়াবাদ দোষ যাৰ হৃদয়ে পশিল।
কুতৰ্কে হৃদয় তাৰ বজ্ৰ সম ভেল ॥
ধিক্ তাৰ কৃষ্ণ সেবা শ্ৰবণ কীৰ্ত্তন।
কৃষ্ণ অঙ্গে বজ্ৰ হানে তাহাৰ স্তৱন ॥"

ভিতৰত কৈছে—"আসামের শঙ্করদেব শঙ্কারচার্য্যের আনুগত্য পরিত্যাগপূর্ব্বক 'শুদ্ধ বৈষ্ণব ধর্ম্ম' আখ্যা প্রদান করিয়া স্বাধীনভাবে একটি ধর্ম্মমত আসামে প্রবর্ত্তন করেন। উহা মূলে শঙ্করাচার্য্যের মতেরই অভিব্যক্তি হওয়ায়, উহাতে বৈষ্ণব ধর্ম্মের বিশুদ্ধতা আদৌ রক্ষিত হয় নাই। * * শঙ্করদেবের 'কৃষ্ণার্চ্চনা' 'মায়াবাদ' বলিয়া বৈষ্ণবগণ কর্ত্তৃক উপেক্ষিত হইয়াছে।"

নিমাইচান্দক কোনে কলে যে শঙ্কৰদেৱে শঙ্কৰাচাৰ্য্যৰ আনুগত্য স্বীকাৰ কৰিছিল আৰু পিছত তেওঁ সেই আনুগত্য পৰিত্যাগ কৰিলে ? এই "বৈষ্ণৱগণ" কোন ? সেই ফৰিঙৰ জাকত নিমাইচান্দ সৰু ফৰিংটো নিশ্চয় আছে। শঙ্কৰদেৱৰ কৃষ্ণাৰ্চ্চনা যে মায়াবাদ, নিমাইচান্দৰ নিচিনা দোৱাশৰণীয়া 'হাব বৰা বৈষ্ণৱ' ফৰিঙে কব পাৰে, আৰু সেই ফৰিঙৰ জাকৰ ফৰিঙেও মন গলে কব পাৰে, অৱজ্ঞা উপেক্ষা বি মন যায় কৰিব পাৰে। কিন্তু নিমচান্দ ফৰিঙে নাজানে যদি জানি থোৱা উচিত, যে শ্ৰীশঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্মৰ বিশাল বিটপী সমগ্ৰ অসম আৰু তাৰ প্ৰভাৱ পুৰণি কামৰূপ ৰাজ্য জুৰি আজিলৈকে পত্ৰ পুষ্পেৰে জকমকাই আছে, আৰু পৃথিৱীত বৈষ্ণৱ ধৰ্ম্ম থাকে মানে থাকিব।

শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্ম যে শঙ্কৰাচাৰ্য্যৰ মায়াবাদ নহয় আৰু সেই ধৰ্ম্ম যে শ্ৰীমদ্ভাগৱত, গীতা, সহস্ৰনামানুমোদিত, আৰু ভাগৱতত কোৱা ৯ বিধ ভক্তিহে তাৰ অৱলম্বন, এই কথা দুইজনা মহাপুৰুষ. গ্ৰন্থৰ পৰা অসংখ্য পদ তুলি দেখুৱাব পাৰি। এক মাথোন সাযুজ্য মুক্তিহে জীৱৰ প্ৰয়োজনীয়, তেওঁলোকৰ শাস্ত্ৰগ্ৰন্থৰ সেইটো মৰ্ম্ম বা মূল সিদ্ধান্ত নহয়; পল্লৱগ্ৰাহী নিমাইচান্দে সেইটো প্ৰমাণ কৰিবলৈ যিমানকে মূৰ ঘমাওক। নিমাইচান্দে কামৰূপীয়া মহাপুৰুষীয়া সভাক কূপমণ্ডুক বুলিছে, বোলক কাৰণ তেওঁ "বৰ বৈষ্ণৱ"। কিন্তু তেওঁ জানি থব যে মহাপুৰুষীয়া সভাৰ সভ্যসকল যি কি নহওক, দুদিনীয়া মেকুৰী পোৱালীৰ দৰে নিমাইৰ চকু এতিয়াও মেল খোৱাই নাই। শঙ্কৰদেৱৰ কীৰ্ত্তনত আছে—

"নলাগে লীন মুকুতিকো তথা।
নাহি হৰি পদ পঙ্কজ যথা ॥"
"সকল ধৰ্ম্মতে কৰি বিশিষ্ট।
হৰি কীৰ্ত্তনেসে ধৰ্ম্ম গৰিষ্ঠ ॥
অনাদৰি আন ধৰ্ম্ম সম্প্ৰতি।
দিয়ো উপদেশ হৰি ভকতি ॥"
"নিষ্কামে কৰিয়া সকল কৰ্ম্ম।
বিষ্ণুত অৰ্পিব সকল ধৰ্ম্ম ॥
শ্ৰৱণ কীৰ্ত্তন তাহাৰ ফল।
মিছাতে নাজানি নিন্দে নিস্ফল ॥"

শ্ৰৱণ কীৰ্ত্তন ভক্তিয়েই বিষ্ণু-ভকতৰ প্ৰধান অৱলম্বন। শ্ৰৱণ কীৰ্ত্তন কৰি মুক্তি লভি ভকত বৈকুণ্ঠলৈ যায় আৰু মুক্তি লভিও মুকুতসকলে হৰিগুণ নাম শ্ৰৱণ কীৰ্ত্তন কৰি থাকে আৰু সিয়েই প্ৰেমাভক্তি।

"হৰিনাম হৰিনাম হৰিনামে গতি।
হৰিনাম বিনা আন নজানো ভকতি ॥
ব্ৰহ্মা হৰে ভজন্ত হৰিৰ দুয়ো পাৱে।
মুকুতসকলে সদা হৰিগুণ গাৱে ॥"
"তোমাৰ চৰণে হৰি, কেৱল ভকতি বিনে,
মোৰ আৰ নাহি আন কাম হৰি ৰাম ॥"—ঘোষা

ভকতৰ শ্ৰৱণ কীৰ্ত্তন ভক্তি আদিত, মধ্যত, আৰু অন্ততো, অৰ্থাৎ বৈকুণ্ঠ লাভৰ পিছতো; আন কাম নাই। হৰিভক্তিৰ প্ৰেমতেই ভকত মগ্ন।

"নিতান্তে হৰিক কৰি ধ্যান।
হৰি বিনে নেদেখন্ত আন ॥
সদায় কৃষ্ণৰ গুণ কহে।
চিত্তত ধৰিল কৃষ্ণ গ্ৰাহে ॥
নেৰে মন গোবিন্দৰ পাৱ।
কৃষ্ণত উপজে প্ৰেম ভাৱ ॥"   —কীৰ্ত্তন

আগেয়ে কৈছোঁ, এতিয়াও পুনৰ কওঁ যে অৱশ্যে একান্ত ভকতৰ লক্ষ্য মুক্তি নহয়, কৃষ্ণ ভক্তিহে। কিন্তু ভকতে মুকুতি নিবিচাৰিলেও মুকুতি পায়। মুকুতি ভকতৰ পাছে পাছে ঘূৰি ফুৰে। বৈকুণ্ঠত ভকতে যে কৃষ্ণৰ নাম-গুণ শ্ৰৱণ কীৰ্ত্তন ভক্তি কৰেই।

"ভ্ৰমৰগণেও গাৱে হৰি গীত।
বৈষ্ণৱগণ শুনি আনন্দিত॥"
"বৈমানিকগণে পৰম ৰঙ্গে।
হাতত তান নাৰীগণ সঙ্গে॥
গাৱন্ত কৃষ্ণৰ গুণ চৰিত।
আনন্দতে দ্ৰৱে সবাৰ চিত॥"
"ভ্ৰমৰ বাজে গাৱে হৰি গীত।
যতেক পক্ষী তাতে দিয়া চিত॥
নকৰে আবাৱ থাকে নিচুকে।
কৃষ্ণৰ চৰিত্ৰ শুনে উৎসুকে॥"

বৈকুণ্ঠক সৃষ্টিৰ ভিতৰত আমাৰ মহাপুৰুষে ধৰা নাই আৰু বৈকুণ্ঠৰ নাৰায়ণ বা কৃষ্ণ বা বিষ্ণু বা কেশৱক মায়িক বুলি ধৰা নাই। নিমাইচান্দে নাজানে, সেইদেখি ওলোটা কথা কৈছে।

"বৈকুণ্ঠ নগৰী নিৰুপম।
নাহি যাত কালৰ বিক্ৰম॥"
"মূৰ্ত্তি ধৰি বেদ শাস্ত্ৰগণ।
কৰে বেঢ়ি মহিমা কীৰ্ত্তন॥
চৌদ্ধ ভুবনৰ বন্দ্য স্থান।
যাক কৃষ্ণে কৰিলা নিৰ্ম্মাণ॥"
যত "চৈতন্যময় শুদ্ধ ৰূপ ধৰি।
পৰম আনন্দে আচন্ত হৰি॥"
সেই বৈকুণ্ঠলৈ কোন যায়?—
"দূৰতে ধৰ্ম্মক পৰিহৰি।
যিটো চিত্তে হৃদিৰূপ ধৰি॥
নিতান্তে কীৰ্ত্তন মাত্ৰ কৰে।
বৈকুণ্ঠত থাকে সিটো নৰে॥
অন্যো অন্যে হৰি কথা গাৱে।
শিহৰে শৰীৰ প্ৰেমভাৱে॥
আনন্দে লোতক পৰে ঝৰি।
গেৰি পাৰি বোলে ৰাম হৰি॥" —শঙ্কৰদেৱ

আকৌ কওঁ যে ওপৰৰ খাপৰ একান্ত ভকতৰ বাঞ্ছাৰ বস্তু ভক্তিহে, মুক্তি নহয়।

"নবাগোহো সুখ ভোগ নালাগে মুকুতি।
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি॥
মুখে লৌক নাম মোৰ কৰ্ণে তব কথা।
হৃদয়ত পাদপদ্ম থাকোক সৰ্ব্বথা॥
সজ্জনৰ সঙ্গ মুগুচোক সৰ্ব্বক্ষণে।
এতেকে প্ৰসাদ মাগো তোমাৰ চৰণে॥"
"থাকোক অচলা ভক্তি তোমাত॥
বিষ্ণু ভকতেগে হৈব বান্ধৱ।
ভুত দয়া যো নাচাড়ে মাধৱ॥"
"যোগক অভ্যাসে যিটো ভকতিক এড়ে।
তাহাৰেসে মন দুনাই সংসাৰত পৰে॥"
"কহে কৃষ্ণ কিঙ্কৰে শঙ্কৰে।
কীৰ্ত্তন নোৰিবা এৰো নৰে॥
আত পৰে নাহিক উপায়।
বেদৰ এহিসে অভিপ্ৰায়॥"
"কৃষ্ণৰ মনুষ্য লীলা চৰিত্ৰ।
জগতকে ইটো কৰে পৱিত্ৰ॥
যিটো শুনে ভণে আৰু সৱনে।
তাৰ ভক্তি হৈব কৃষ্ণ চৰণে॥"
"কৃষ্ণৰ কিঙ্কৰে কহে শঙ্কৰে সম্প্ৰতি।
হৰি নাম বিনা আৰ নাহি কাৰো গতি॥
বেদৰ প্ৰমাণ বাণী জানি সৰ্ব্বজন।
বোলা হৰি হৰি কৰি অনেক যতন॥"
"কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
কৰিয়ো কীৰ্ত্তন সমস্ত জনে॥
আতপৰে ধৰ্ম্ম নাহিকে আন।
ব্যাসৰ বচন বেদ প্ৰমাণ॥
হেন জানি সুখে গৃহতে থাকি।
হৰি হৰি বোলা সমাজে ডাকি॥"

গৃহতে থাকি একান্তমনে চিত্তে নাম ললেই হৰ; বিশ্বম্ভৰ আৰু ককায়েক বিশ্বৰূপৰ দৰে সন্ন্যাসী হৈ যাবৰ আৱশ্যক নাই।

মহাপুৰুষ মাধৱদেৱৰ ঘোষাৰ প্ৰথম শ্লোক বা পদ—

"মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো,
ৰসময়ী মাগোহোঁ ভকতি।"

যদিও নিমাইচান্দে তেওঁৰ কিতাপত তেওঁৰ মতলব সিদ্ধি কৰিবৰ নিমিত্তে তাৰ বিকৃতাৰ্থ কৰিছে।

"মধুৰৰো সুমধুৰ হৰিৰ কীৰ্ত্তন ৰস
মঙ্গলৰো পৰম মঙ্গল।
এতেকেসে মুকুতিকো তেজি হৰি গুণ গায়া
ফুৰে মহা মহন্তসকল॥"
"মহা ভাগৱত ৰস মাধৱৰ নাম ৰশ
আৰু পান কৰিলে বিজনে।
কৃষ্ণৰ চৰণে চিত্ত দিয়া মোক্ষ আদি ৰসে
ৰতি আৰ নকৰয় মনে॥"
"শুনা পৰমাৰ্থতত্ত্ব শ্ৰীমন্ত শঙ্কৰ মত
ধৰিয়োক সজ্জনসকল।
হৰিৰ কীৰ্ত্তন কৰি সুখে সংসাৰক তৰি
পাইবা ভক্তি পৰম নিৰ্ম্মল॥"

সংসাৰ তৰি অৰ্থাৎ মুক্ত হৈ পৰম নিৰ্ম্মল ভক্তি লাভ কৰিবা।

"লক্ষ্মীপতি ভগৱন্ত যাহাৰ প্ৰসন্ন ভৈল
তাহাৰ দুৰ্লভ কিছু নাই।
নাৰায়ণ পৰ ভৈলে তথাপি কিঞ্চিতো আৰ
নৱাঙ্কুৰ সেৱা সুখ পাই॥"

"শঙ্কৰেসে শুদ্ধ মত ঈশ্বৰ ভক্তিৰ তত্ত্ব
প্ৰচাৰিলা শাস্ত্ৰসাৰ জানি।"

"শঙ্কৰে সংশয় ছেদি শাস্ত্ৰৰ তত্ত্বক ভেদি
প্ৰচাৰিলা কৃষ্ণৰ ভকতি॥"

"নমো ৰাম কৃষ্ণ হৰি নাৰায়ণ নিৰঞ্জন
নমো দেৱ দৈৱকী দায়াদ।
পৰম অনাথ আমি তোমাৰ চৰণে নমি
মাগো প্ৰভু ভকতি প্ৰসাদ॥"

"কৃষ্ণ পদ পঙ্কজৰ সেৱাৰ মহিমা কথা
শুনি বৰ আনন্দ মিলয়।
যাৰ ভকতৰ সঙ্গে সৰ্ব্ব পুৰুষাৰ্থ শিৰে
চড়ি আতি কৌতুক কৰয়॥"

"হৰি কীৰ্ত্তনৰ মহা আনন্দ সুখক আশে
কতো কতো সব মহাজনে।
মুকুতি সুখকো ত্যজি মহন্ত জনৰ সঙ্গ
খোজে অতি কৃষ্ণৰ চৰণে॥"

"কিন্তু ইটো মহাধৰ্ম্ম মাধৱৰ জন্ম কৰ্ম্ম
বেদে যাৰ নাজানে মহিমা।
হৰি নাম কীৰ্ত্তনত মিলে লোক আদি যত
কীৰ্ত্তন সুখৰ নাহি সীমা॥

মধুৰৰো সুমধুৰ হৰিৰ কীৰ্ত্তন ৰস
মঙ্গলৰো পৰম মঙ্গল।
এতেকেসে মুকুতিকো ত্যজি হৰি গুণ গায়া
কৰে মহা মহন্তসকল॥"

"পৰম নিপুণ সবে বুজিয়া শাস্ত্ৰৰ তত্ত্ব
হৰি পদ পঙ্কজে ভজিয়া।
হৰি কীৰ্ত্তনৰ মহা নিৰ্ভয় আনন্দে মজি
থাকে সুখে মুকুতি ত্যজিয়া॥"

"পাপ বিপক্ষক সংহৰি হৰি নাম খলখলি হাসে।
সকল ধৰ্ম্মৰ ওপৰে বসিয়া হৰিৰ নাম প্ৰকাশে॥
মুকুতি সুখক বশ্য কৰি হৰি নাম আনন্দত নাচে।"

তাৰ পিছত নাম লওঁতাজন—

"পুৰুষে সহিতে সখিত্ব কৰিয়া চলয় হৰিৰ কাছে॥"
"আপন নামৰ মহিমা দেখিয়া হৰিৰ আনন্দ চৰে।"

ফলত—

"যিটো নাম লয় হৰি তাৰ হয়, ই পুনু ৰহস্য বৰে॥"
তাৰ পিছত বৈকুণ্ঠত হৰিৰ ওচৰত থাকি, হৰিত লীন হৈ নহয়—

"হৰি গুণ নাম ভাবিয়া পুৰুষে বহয় হৰিৰ পাশে।"

আৰু কিমান দেখুৱাম। ইয়াৰ দ্বাৰায়ে পাঠক-সকলে নিমাইচান্দ "ৰবৈষ্ণৱ"ৰ বিদ্যাৰ বহল-পুতল জুখি লওক।

(৩)

শ্ৰীচৈতন্যদেৱে মায়াবাদ মায়াবাদ কৰি আৰু সাযুজ্য মুক্তিক মায়াবাদ আৰু নাস্তিকতা বুলি অতিবিক্তৰূপে চিঞঁৰাৰ অৰ্থ সেই কালৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ অলপ বিচাৰ কৰিলেই ওলাই পৰিব। চৈতন্য মাধৱ সম্প্ৰদায়ৰ বৈষ্ণৱ। এই সম্প্ৰদায়ৰ ভিতৰুৱা অনেক শেহৰ গুৰু মাধৱেন্দ্ৰপুৰী। মাধৱেন্দ্ৰপুৰীৰ শিষ্য অদ্বৈত, নিত্যানন্দ আৰু ঈশ্বৰপুৰী। ঈশ্বৰপুৰীয়েই প্ৰথমতে শৃঙ্গাৰ ৰস প্ৰৱৰ্ত্তক। তেওঁৰে পৰা তেওঁৰ শিষ্য চৈতন্যই শৃঙ্গাৰ ৰসৰ বীজ গ্ৰহণ কৰিলে আৰু সেই বীজ বা গুটিয়েই ভাবপ্ৰৱণ তেওঁত পৰি গজি এজোপা বৰগছ হল। ভাৰতী সম্প্ৰদায় পিছত যাৰ পৰা তেওঁ সন্ন্যাস লৈছিল, উত্তম শ্ৰেণীৰ সন্ন্যাসী সম্প্ৰদায় নহয়; মধ্যম শ্ৰেণীৰহে। সাৰ্ব্বভৌমৰ ওচৰলৈ মুকুন্দ নামেৰে এজনে প্ৰথমতে চৈতন্যক লৈ আহিছিল।—

"মুকুন্দ দত্ত লইয়া আইল (চৈতন্যক)
সাৰ্ব্বভৌম স্থানে।
সাৰ্ব্বভৌম তাৰে কিছু বলিল বচনে॥
প্ৰকৃতি বিনীত সন্ন্যাসী দেখিতে সুন্দৰ।
আমাৰ বহু প্ৰীতি হয় ইহাৰ উপৰ॥
কোন সম্প্ৰদায় সন্ন্যাস কৰিয়াছেন গ্ৰহণ।
কিবা নাম ইহাৰ শুনিতে হয় মন॥
গোপীনাথ কহে ইহাৰ নাম শ্ৰীকৃষ্ণ চৈতন্য।
গুৰু ইহাৰ কেশৱ ভাৰতী মহাধন্য॥
সাৰ্ব্বভৌম কহে এই নাম সৰ্ব্বোত্তম।
ভাৰতী সম্প্ৰদায়ে ইহোঁ হয়েন মধ্যম॥
গোপীনাথ কহেন ইহাৰ নাহি বাহ্যাপেক্ষা।
অতএব বড় সম্প্ৰদায় কৰিল উপেক্ষা॥
ভট্টাচাৰ্য্য কহে ইহাৰ পৌঢ় যৌবন।
কেমনে সন্ন্যাস ধৰ্ম্ম হইবে ৰক্ষণ॥
নিৰন্তৰ ইহাঁৰে আমি বেদান্ত শুনাইব।
বৈৰাগ্য অদ্বৈতমাৰ্গে প্ৰবেশ কৰাইব॥
কহেন যদি পুনৰপি যোগপট্ট দিয়া।
সংস্কাৰ কৰিয়ে উত্তম সম্প্ৰদায়ে আনিয়া॥
—চৈতন্য চৰিতামৃত

চৈতন্যই প্ৰচাৰ কৰা ৰাধাকৃষ্ণৰ প্ৰেম অৰ্থাৎ শৃঙ্গাৰ ৰসবাদ, ("সব ৰস হৈতে শৃঙ্গাৰে অধিক মাধুৰী") যি ৰসবাদ স্বকীয়-ভাৱতকৈ পৰকীয়া ভাৱত উথলি উঠে ("পৰকীয়া ভাবে ৰতি ৰসেৰে উল্লাস") চৈতন্যৰ পিছৰ কালত বঢ়াবঢ়ি হৈ অধোগতি প্ৰাপ্ত হৈ অধিকাংশ লোকৰ অশ্ৰদ্ধাৰ বস্তু হোৱাদি, চৈতন্যৰ আবিৰ্ভাৱৰ কালত শঙ্কৰাচাৰ্য্যৰ প্ৰচাৰিত

মায়াবাদৰ বঢ়াবঢ়ি হৈ সি অধোগতিপ্ৰাপ্ত হৈছিল। 'তত্ত্বমসি' "সৰ্ব্বং খল্বিদং ব্ৰহ্ম" "অহং ব্ৰহ্মাস্মি" 'প্ৰজ্ঞানং ব্ৰহ্ম' প্ৰভৃতি শঙ্কৰাচাৰ্য্যৰ মহা বাক্যবোৰৰ বিকৃত ব্যাখ্যা আৰু অপব্যৱহাৰ মানুহৰ ভিতৰত প্ৰবলৰূপে চলিবলৈ ধৰিছিল। হাজাৰ হাজাৰ মানুহে সন্ন্যাস ধৰ্ম্ম অৱলম্বন কৰি মায়াবাদী হৈ, ঈশ্বৰেৰে সৈতে তেওঁলোক এক আৰু অভিন্ন বুলি প্ৰচাৰ কৰি আৰু ভাবি, শঙ্কৰাচাৰ্য্যৰ সূক্ষ্ম মহাভাবৰ অৰ্থৰ অপব্যৱহাৰ কৰি সমাজত দুৰ্নীতি আৰু নিজৰ ব্যৱহাৰত দোষাবহ কাৰ্য্য ঈশ্বৰৰ নামৰ "দোহাই দি" কৰিবলৈ ধৰিছিল। গুৰিতে সকলো ধৰ্ম্মমতৰ অৱস্থা বিশুদ্ধ থাকিলেও কালক্ৰমত সেইবোৰ নানা প্ৰকাৰে ব্যাখ্যা কৰোঁতা শিষ্য-প্ৰশিষ্যৰ হাতত পৰি তেনেকুৱা অধোগতিপ্ৰাপ্ত হয়। সেইটোৰ প্ৰতিৰোধ কৰিবলৈ গৈ চৈতন্যদেৱ নিৰ্ব্বিশেষবাদ বা মায়াবাদৰ ওপৰত খড়গহস্ত হৈ পৰিছিল আৰু কৰ্কৰীয়া শুকান অদ্বৈতবাদৰ ওপৰত কলহে কলহে শৃঙ্গাৰ ৰসবাদৰ পানী ঢালি একেবাৰেই সিমূৰৰ পৰা আহি ইটো মূৰ পাইছিলহি অৰ্থাৎ আনটো extreme অত থিয় দিছিলহি। ক'তা শঙ্কৰাচাৰ্য্যৰ ওপৰততো তেওঁৰ খং নাই। তেওঁৰ খং শঙ্কৰাচাৰ্য্যৰ মত আৰু শিক্ষা গ্ৰহণ কৰোঁতাৰ ওপৰতহে। তেওঁ কৈছে--

"আচাৰ্য্যেৰ (শঙ্কৰৰ) দোষ নাহি ঈশ্বৰ আজ্ঞা হৈল।
অতএব কল্পনা কৰি নাস্তিক শাস্ত্ৰ কৈল ॥"

শঙ্কৰাচাৰ্য্যক শঙ্কৰ অৰ্থাৎ শিৱৰ, কল্পিত অৱতাৰ বুলি ধৰি তেওঁৰ বেদান্তৰ ভাষ্যক এই নাস্তিক শাস্ত্ৰ, বা নিৰীশ্বৰ বৌদ্ধ শাস্ত্ৰ বোলা হৈছে। পদ্মপুৰাণৰ উত্তৰ খণ্ডত এটা শ্লোক আছে—

মায়াবাদসমচ্ছাস্ত্ৰং প্ৰচ্ছন্নং বৌদ্ধমুচ্যতে।
ময়ৈৱ বিহিতং দেবি কলৌ ব্ৰাহ্মণমূৰ্ত্তিনা ॥

অৰ্থাৎ শিৱই পাৰ্ব্বতীক কৈছে, হে দেৱি! কলি যুগত ময়েই ব্ৰাহ্মণমূৰ্ত্তি পৰিগ্ৰহ কৰি মায়াবাদস্বৰূপ অসৎ শাস্ত্ৰ প্ৰণয়ন কৰোঁ। আৰু সেয়েই প্ৰচ্ছন্নবৌদ্ধ (অৰ্থাৎ বুদ্ধ প্ৰণীত) শাস্ত্ৰ বুলি অভিহিত হয়।

আমাৰ শ্ৰীশঙ্কৰদেৱৰ কীৰ্ত্তনতো এনে কথাই আছে। আৰু সেই কথাও পদ্মপুৰাণৰ সহস্ৰ নাম খণ্ডৰ। কীৰ্ত্তনৰ সহস্ৰ নাম বৃত্তান্তৰ ছটা অধ্যায় ৰত্নাকৰকন্দলি বা অনন্তকন্দলি বিৰচিত। অৱশ্যে শঙ্কৰদেৱে তাক কন্দলিৰ প্ৰাৰ্থনা মতে কীৰ্ত্তন পুথিৰ অন্তৰ্গত কৰি লৈছে। কিন্তু এটা কথা যে পদ্ম-পুৰাণৰ উত্তৰ খণ্ডত যিহকে কওক, শঙ্কৰদেৱে নাইবা ৰত্নাকৰকন্দলিয়ে শঙ্কৰাচাৰ্য্যই যে শঙ্কৰাৱতাৰ আৰু শঙ্কৰ অৰ্থাৎ শিৱই যে কল্পিত বেদান্তৰ ভাষ্য কৰি মায়াবাদ প্ৰচাৰ কৰি কৃষ্ণৰ আজ্ঞা পালন কৰিছিল, এই কথা কতো তেওঁলোকে লেখা নাই। তেওঁলোকে বুজিছিল যে শিৱই অৱতাৰ নধৰিও যেনে আছিল তেনে অৱস্থাতে অনেক আগম আৰু তন্ত্ৰ-শাস্ত্ৰ প্ৰচাৰ কৰিছিল। শিৱ বক্তা, পাৰ্ব্বতী শ্ৰোতা। হৰিয়ে শিৱক কৈছিল—

"আগমত দেখায়োক সংসাৰৰ সুখ।
তাক দেখি হোৱে যেন আমাত বিমুখ॥"-কীৰ্ত্তন

কিন্তু শিৱই শঙ্কৰাচাৰ্য্য হৈ অৱতাৰ ধৰি মায়াবাদ বা বৌদ্ধশাস্ত্ৰ কৰিবৰ কথা আমাৰ অসমৰ বৈষ্ণৱ সম্প্ৰদায় সংস্থাপকসকলে বুজা নাছিল। শঙ্কৰাচাৰ্য্য নিৰীশ্বৰ বৌদ্ধ নেকি, এতিয়াও তাৰ চূড়ান্ত মীমাংসা হোৱা নাই বৰং আজিকালিৰ প্ৰগাঢ় পণ্ডিতসকলে, যি তেওঁৰ ৰচিত গ্ৰন্থৰ বিস্তৰ আলোচনা কৰিছে, তেওঁলোকৰ মতে শঙ্কৰাচাৰ্য্যক নিৰীশ্বৰ বৌদ্ধ বোলাটো অত্যন্ত ভুল, কাৰণ তেওঁ তাৰ ওলোটা-হে। বৌদ্ধধৰ্ম্মকহে অনেকে মায়াবাদ বা শূন্যবাদ বোলে। তাতো মতভেদ আছে। যি হওক মুঠতে কব পাৰি যে বৌদ্ধৰ শূন্যবাদ আৰু বেদান্তৰ নিৰ্গুণ ব্ৰহ্মবাদ দুইটা বৰ সুকীয়া বস্তু নহয়। যিটো এক হিচাপত শূন্য, সেইটোৱেই আন হিচাপত পূৰ্ণ। গুণৰ ফালৰ পৰা চালে নিৰ্গুণ ব্ৰহ্ম শূন্য। এইটোৱেই বৌদ্ধৰ লক্ষ্য। অনন্তৰ ফালৰ পৰা চালে ব্ৰহ্ম পূৰ্ণ। এইটোৱেই বৈদান্তিকৰ লক্ষ্য। উভয় মতভেই ব্ৰহ্ম নিৰঞ্জন। যাওক, ইয়াত এইবোৰ আলচ কৰিবৰ আৱশ্যক নাই। আমি আমাৰ আগৰ কথালৈ উভতি যাওঁ। পশুবধ, যাগ-যজ্ঞাদি বৈদিক কৰ্ম্ম-কাণ্ডবোৰৰ বঢ়াবঢ়ি হলত বুদ্ধদেৱে সেইবোৰৰ ওপৰত এইদৰেই খড়্গ প্ৰহাৰ কৰিছিল। শঙ্কৰা-চাৰ্য্যৰ মায়াবাদৰ বঢাবঢিৰ ওপৰতো সেইদৰেই সেই সময়ত চৈতন্যৰ বাক্যবাণৰ প্ৰহাৰ। "যি কৰে পৰত তাৰ মিলে ঘৰত।" চৈতন্যৰ পিছত তেওঁৰ প্ৰচাৰিত প্ৰেমবাদৰ বঢ়াবঢ়িৰ ওপৰতো সমাজত সুনীতি আৰু সুচৰিত্ৰ ৰক্ষাৰ প্ৰয়াসীসকলে খড়গহস্ত হৈ, তাক আজিও অৱজ্ঞাৰ চকুৰে চাইছে। "চৈতন্য চৰিতামৃত" গ্ৰন্থৰ পৰাই সেই কালত কাকতীকৰিং বঢাদি বঢ়া মায়াবাদীৰ কথা পোৱা যায়। চৈতন্যই কাশীলৈ আহোঁতে এজনে চৈতন্যক কৈছিল—

"আপন প্ৰাবল্যে বসি বাৰানসী স্থানে।
মায়া ব্ৰহ্ম শব্দ বিনা নাহি শুনি কাণে ॥
ষড়দৰ্শন ব্যাখ্যা বিনা কথা নাহি আৰ।"

"বৈষ্ণৱ ও বিষ্ণুপূজক" কিতাপৰ ৰচকে কৈছে—

"বৰপেটাৰ অনেক বিশিষ্ট সত্ৰাধিকাৰ শঙ্কৰ-দেৱকে শঙ্কৰাচাৰ্য্যানুগত বলিয়া প্ৰকাশ কৰেন। শঙ্কৰদেৱেৰ নিজ বাক্যে তাঁহাকে শঙ্কৰ মতাবলম্বী বলিতে কাহাৰও দ্বিধা থাকিতে পাৰে না।"

"চাটকিতাপ" লেখোঁতা নিমাইচান্দৰ দ্বিধা নাথাকিব পাৰে, কাৰণ তেওঁ যেনেহে তেজী পুৰুষ দ্বিধাতো দূৰৰ কথা তেওঁৰ ত্ৰিধা নাথাকিলেও আমি আচৰিত নামানো ; কাৰণ তেওঁ এটা ধৰ্ম্ম এৰি আন এটা ধৰ্ম্ম লৈছে ; আৰু এনেকুৱা Enthusiast আৰু fanatic এই দুটাৰ মানে নজনা যদি আমাৰ কোনো পাঠক আছে তেওঁ অভিধান চাই লব। নিমাইচান্দৰ কথা যদি সঁচা হয়, তেন্তে নিমাইচান্দে আউজা বৰপেটাৰ সেই "জনৈক সত্ৰাধিকাৰ" নিমাইচান্দৰ নিচিনাই পণ্ডিত। অলবতি বিত্তবেন।

নিমাইচান্দে কয়, "মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ। এতেকে মুকুতি পাইবা কহিলোঁ স্বৰূপ॥" এইষাৰ হেনো মায়াবাদীৰ কথা। এই কথাৰ উত্তৰ দিবলৈ ঘিণ লাগে। তেওঁৰ গুৰু চৈতন্যাই মুখেৰে ৰাম বুলিবলৈ হাক দিছিল নে? হৃদয়ত সাকাৰ সচ্চিদানন্দ কৃষ্ণৰ ৰূপ ধৰিবলৈ হাক দিছিল নে? আৰু মুকুতি শব্দটো তেওঁৰ অভিধানৰ পৰা তুলি দিছিল নে? কাৰণ তেওঁৰ চৈতন্য মায়াবাদী নহয়।

বিদ্যা বেছি হলে শেহত এনেকুৱাই হৈ পৰে।

শ্ৰীমদ্ভাগৱতৰ দ্বিতীয় স্কন্ধৰ তৃতীয় অধ্যায়ৰ দশম শ্লোক—

"অকাম: সৰ্ব্বকামো বা মোক্ষকাম উদাৰধী:।
তীব্ৰেণ ভক্তিযোগেন যজেত পুৰুষ: পৰম্॥"

অৰ্থাৎ শুকদেৱে পৰীক্ষিতক কৈছে,—যি উদাৰবুদ্ধি আৰু একান্ত ভক্তই তেওঁৰ কামনাবোৰ থাকক বা নাথাকক অথবা তেওঁ মুক্তিকামীয়েই হওক, তেওঁ ঐকান্তিকী ভক্তিৰে সৈতে পৰম পুৰুষ ভগৱন্তক ভজনা কৰে।

ভাগৱতৰ দশম স্কন্ধৰ ৫১ অধ্যায়ৰ ৫৩ শ্লোক—

"ভৱাপৱৰ্গো ভ্ৰমতো যদা ভৱেৎ।
জনস্য তৰ্হ্যচ্যুত সৎ সমাগম:॥
সৎ সঙ্গমো যহি তদৈৱ সদগতৌ।
পৰাৱৰেশে ত্বয়ি যায়তে ৰতি:॥"

অৰ্থ—শ্ৰীকৃষ্ণক মুচুকুন্দই কৈছিল—হে অচ্যুত। তোমাৰ কৰুণাত যেতিয়া সাংসাৰিক ভৱবন্ধন ছিগি যায়, তেতিয়াই সৎ সঙ্গ লাভ হয়। সৎসঙ্গ হলেই পৰম গতি প্ৰাপ্তি হয় আৰু পৰাৱৰেশ তোমাত ৰতি জন্মে আৰু ৰতি জন্মিলেই মুক্তি লাভ হয়।

নিমাইচান্দে তেওঁৰ বৈষ্ণৱ শাস্ত্ৰ মেলিলেই দেখিব যে চৈতন্যাই তিনিবিধ বৈষ্ণৱ ভক্তৰ কথা কৈছে—(১) ভক্ত, (২) ভক্ততৰ, (৩) ভক্ততম। মুক্তি নামাগে ভক্ততমে। সেই বাবে ভক্ত আৰু ভক্ততম নিৰ্ব্বিশেষবাদী আৰু নাস্তিক নহয়। সকলো ছাত্ৰৰে "ৰায়চান্দ প্ৰেমচান্দ" পৰীক্ষা "পাছ" কৰিব নোৱাৰে আৰু তাৰ বৃত্তি নাপায়। শ্ৰীশঙ্কৰদেৱে সকলো মানুহৰ তৰণৰ নিমিত্তে practical ব্যৱস্থা প্ৰচাৰ কৰিছে ; সেইবুলি শেহৰটো অৰ্থাৎ ভক্ততমৰ চূড়ান্ত লক্ষ্যৰ কথা তেওঁলোকে যে কোৱা নাই এনে নহয়, বৰং ইমান বাৰ কৈছে যে তেওঁলোকৰ ধৰ্ম্মমত ইচ্ছা কৰি বিকৃত কৰি ব্যাখ্যা কৰিবলৈ নগলে, সেইটো চকু নিদি থাকিব নোৱাৰি। শঙ্কৰদেৱে যি কৈছে, গীতা ভাগৱতেও তাকে কৈছে। গীতা ভাগৱত মায়াবাদী নে?

"সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণংব্ৰজ।
অহংত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচ:॥
—গীতা

ওপৰৰ শ্লোকত "মোক্ষয়িষ্যামি" অৰ্থাৎ মুক্তি দিম এই কথা আছে, এতেকে গীতা মায়াবাদী?

"ভক্ত্যা মামভিজানাতি যাবানযশ্চাস্মি তত্ত্বত:।
ততো মাংতত্ত্বতো জ্ঞাত্বা বিশতে তদনন্তৰং॥"
—গীতা

অৰ্থাৎ—

"মাধৱে কহন্ত অৰ্জ্জুনত শুনা ইটো পৰমাৰ্থ তত্ত্ব
ভকতেসে মোৰ মহিমা জানে নিঃশেষ।
তত্ত্বৰূপে সখি জানি মোক তৰিয়া দুৰ্ঘোৰ দুঃখ-শোক
অন্তকালে গৈয়া আমাত হোৱে প্ৰৱেশ॥"

গীতাত শ্ৰীকৃষ্ণই কৈছে যে ভকতে শেহত গৈ মোত প্ৰৱেশ কৰে। কি সৰ্ব্বনাশৰ কথা। এইটো দেখোন সাযুজ্য মুক্তিৰ কথা। এইটো দেখোন নিৰ্ব্বিশেষবাদ। এইটো দেখোন মায়াবাদ। এইটো দেখোন শঙ্কৰদেৱে তেওঁৰ কীৰ্ত্তন পুথিত দামোদৰ বিপ্ৰক ব্ৰহ্মত লয় কৰি সাযুজ্য মুক্তি দিয়াৰ দৰে কথা। যেনে—

"দৃঢ় ভক্তি কৰি চিণ্ডি মোহ জৰি
কৰ্ম্মবন্ধে ভৈলা হীন।
পায়া মহোদয় দেখি ব্ৰহ্মময়
কৃষ্ণতে গৈলন্ত লীন॥" —কীৰ্ত্তন ঘোষা

এইটো দেখোন শঙ্কৰদেৱে প্ৰহলাদক ব্ৰহ্মত লীন কৰাৰ দৰে কথা। যেনে—

"তোৰ যশ ব্যাপিবে জগতে
ৰাত্ৰি দিন মোক স্মৰন্তে॥
সৰ্ব্ব কৰ্ম্ম বন্ধ হৈব হীন।
অন্তকালে মোতে হৈবি লীন॥" —কীৰ্ত্তন

এইটো দেখোন ৰাসলৈ যাবলৈ নোপোৱা গোপীক শঙ্কৰদেৱে কৃষ্ণত লীন কৰোৱাৰ দৰে কথা। যেনে—

"যাইবে নপাই কতো গোপীগণ।
মনে ধৰি কৰিল কৃষ্ণক আলিঙ্গন ॥
অনেক জন্মৰ কৰ্ম্ম বন্ধ কৰি ক্ষীণ।
এৰি তনু তেখনে কৃষ্ণতে গৈল লীন ॥"

এইটো দেখোন শঙ্কৰদেৱে দিয়াৰ দৰে ভকতক মুক্তি দিয়াৰ কথা। যেনে—

"ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।"
—কীৰ্ত্তন

কি ভয়ানক। গীতাও নিৰ্ব্বিশেষবাদী দেখিছোঁ।

"ইত্থং সতাং ব্ৰহ্মসুখানুভূত্যা,
দাস্যং গতানাং পৰদৈবতেন।
মায়াশ্ৰিতানাং নৰদাৰকেন,
সাৰ্দ্ধং বিজহ্ৰুঃ কৃতপুণ্যপুঞ্জাঃ ॥"—

শ্ৰীমদ্ভাগৱত ১০।১২।২১

অৰ্থাৎ যি এইদৰে ব্ৰহ্মসুখানুভূতি স্বৰূপে সাধুসকলৰ ওচৰত, পৰদেৱতাৰূপে দাস্য ৰসৰ ভক্তসকলৰ ওচৰত আৰু নৰশিশুৰূপে মায়াশ্ৰিত ব্যক্তিসকলৰ ওচৰত প্ৰকাশিত হয়, সেই ভগৱন্ত শ্ৰীকৃষ্ণৰে সৈতে কৃতপুণ্য ব্ৰজৰ গৰখীয়া ল'ৰাবোৰে বিহাৰ কৰিছিল।

ব্ৰহ্ম, পৰদেৱতা, নৰশিশুৰূপে অৰ্থাৎ "গোপৰূপে নন্দৰ তনয়" ইত্যাদি কথাও গোলোকৰ সচ্চিদানন্দ নিত্য সাকাৰ কৃষ্ণৰ প্ৰতি প্ৰয়োগ কৰিছে ভাগৱতে। ভাগৱতো দেখিছোঁ নিৰ্ব্বিশেষবাদী। যাওক, কি কৰা যায়? গীতা ভাগৱতকতো শঙ্কৰদেৱক গালি পৰাদি পাৰিব নোৱাৰি। এতেকে সেই দুখন শাস্ত্ৰৰ প্ৰতি lip-loyalty অৰ্থাৎ মুখৰ শ্ৰদ্ধা দেখুৱাই, আমাৰ ব্ৰহ্মবৈবৰ্ত্ত, ব্ৰহ্ম-সংহিতা, জয়দেৱ, বিদ্যাপতি, চণ্ডীদাস, লঘুভাগৱত, পদ্যাৱলী, ৰূপ সনাতনৰ নাটকবোৰে যি কয়, সেই কাব্য ৰসৰ শৃঙ্গাৰ ৰসৰ কথাৰেই আমাৰ মত থিৰ কৰি বঙ্গদেশ ওড্ৰদেশ প্ৰেমৰ বানেৰে বুৰাই দিওঁ, কি বোলা? অসমীয়া নিৰ্ব্বিশেষবাদী অবৈষ্ণৱ শঙ্কৰদেৱে এইবোৰ কবিতাৰ পুথি ক'ত পাব? তেওঁ "হোলাৰ ভাই বোলা" দাস্যভাৱ খুকুৰ্ত্তি বান্ধি লৈ antiquated অৰ্থাৎ গীতা-ভাগৱতৰ কামতে থিৰ দি থাকক।

"দেৱ মাধৱক ধ্যান কৰে যিটো নিত।
বিষ্ণুত প্ৰৱেশে যেন অগনিত ঘৃত ॥"

কীৰ্ত্তনৰ পৰা এই পদ তুলি দি নিমাইচান্দে শঙ্কৰদেৱক নিৰ্ব্বিশেষবাদী প্ৰমাণ কৰিবলৈ যোৱাটো দেখি হাঁহি উঠে। এই বিশ্বচৰাচৰ ঈশ্বৰৰ পৰা ওলোৱা নাই নে? অন্তত মহাপ্ৰলয়ত তেওঁতে সকলে, প্ৰৱেশ নকৰিব নে? বেদ, উপনিষদ, ৰামায়ণ, ভাৰত, পুৰাণে তাকে নকয় নে?

"যতো বা ইমানি ভূতানি জায়ন্তে যেন জাতানি জীৱন্তি যৎ প্ৰয়ন্ত্যভিসংবিশন্তি তদ্বিজিজ্ঞাসস্ব তদ্‌ ব্ৰহ্ম।" এইটো উপনিষদৰ বচন নহয় নে? শ্ৰীমদ্ভাগৱতৰ প্ৰথম শ্লোকটো কি?

"জন্মাদস্য যতোহন্বয়াদিতৰত শ্চাৰ্থেষ্বভিজ্ঞ স্বৰাট,
তেনে ব্ৰহ্মহৃদা য আদিকবয়ে মুহ্যন্তি যৎ সুৰয়ঃ।
তেজোবাৰিমৃদাং যথা বিনিময়ো যত্ৰ ত্ৰিসৰ্গো মৃষা,
ধাম্না স্বেন সদা নিৰস্তকুহকং সত্য পৰং ধীমহি ॥"

অৰ্থ—বিশ্বৰ উৎপত্তি, স্থিতি আৰু লয় যি তত্ত্বৰ পৰা সমুৎপন্ন, অন্বয়ব্যতিৰেকৰ দ্বাৰাই বিচাৰ কৰিলে যি নিখিল অৰ্থত আৰু ব্যাপাৰত স্বৰূপতত্ত্ব বুলি নিশ্চিত হয়, যি দৃশ্যমান এই জগতত এক মাথোন স্বৰাট, আদি কবি ব্ৰহ্মাৰ হৃদয়ত যি ব্ৰহ্ম অৰ্থাৎ বেদ সঞ্চাৰ কৰিলে যাত সুবুদ্ধি পণ্ডিতসকলৰো পুনঃ পুনঃ মোহ জন্মে যাতে তেজ আৰু ক্ষিত্যাদি ভূতগ্ৰামৰ বিনিময়, চিৎ-উদয়ৰূপ সৃষ্টি, জীৱ-প্ৰকটৰূপ সৃষ্টি আৰু মায়িক ব্ৰহ্মাণ্ডৰূপ সৃষ্টি, এই ত্ৰিবিধ সৃষ্টি যাত সত্যৰূপে বিদ্যমান, সেই আত্মশক্তিৰ দ্বাৰাই নিত্য কুহক বৰ্জ্জিত পৰম সত্যস্বৰূপ শ্ৰীকৃষ্ণক ধ্যান কৰোঁ।

"তমিমমহমজং শৰীৰভাজাং
হৃদি হৃদিধিষ্ঠিতমাত্মকল্পিতানাম্।
প্ৰতি দৃশমিব নৈকধাৰ্কমেকং
সমধিগতোহস্মি বিধূত ভেদমোহঃ ॥"
—শ্ৰীমদ্ভাগৱত (১০।১৪।১৫)

অৰ্থ—ব্ৰহ্মাই কৈছে, ভগৱন্ত অজন্মা হৈও স্বয়ং স্বসৃষ্ট জীৱসকলৰ প্ৰত্যেকৰ হৃদয়ত অৱস্থিতি কৰিছে। এক সূৰ্য্যক যেনেকৈ প্ৰত্যেকৰ দৃষ্টিত বহু প্ৰকাৰ দেখায়, তেনেকৈ ভগৱন্তও অধিষ্ঠান ভেদে অনেক হৈ প্ৰকাশমান হয়। যি হওক, এই ভগৱন্তক দেখি আৰু পাই মোৰ মোহ বিনষ্ট হৈছে, আৰু ভেদজ্ঞান বিদূৰিত হৈছে, সেইদেখি মই এওঁক একান্তভাৱে আশ্ৰয় কৰিলোঁ।

নিমাইচান্দৰ সম্প্ৰদায়ৰ চৈতন্য চৰিতামৃততো কৈছে—

"কৃষ্ণ এক সৰ্ব্বশ্ৰেষ্ঠ কৃষ্ণ সৰ্ব্বধাম।
কৃষ্ণেৰ শৰীৰে সৰ্ব্ব বিশ্বেৰ বিশ্ৰাম ॥"

"সভাৰ আশ্ৰয় কৃষ্ণ কৃষ্ণে সভাৰ স্থিতি।"
"ব্ৰহ্ম হৈতে জন্মে বিশ্ব ব্ৰহ্মতে জীৱয়।
সেই ব্ৰহ্মে পুনৰপি হয়ে যায় লয়॥"

আমি ওপৰত অনেকবাৰ কৈছোঁ, আকৌ কওঁ যে দুই মহাপুৰুষ শ্ৰীশঙ্কৰ-মাধৱে তেওঁলোকৰ ৰচিত শাস্ত্ৰত হেজাৰ বাৰ কৈছে যে ভক্তই মুক্তি লভি বা ভক্তি কৰি তাৰ আনুসঙ্গিক ফল স্বৰূপে মুক্তি লভিও ঈশ্বৰত লয় যাবলৈ প্ৰাৰ্থনা নকৰে, ঈশ্বৰৰ সমীপ লভি দাসৰূপে তেওঁৰ চৰণ সেৱা সুখ লভিবলৈহে আকাঙ্ক্ষা কৰে। মহাপুৰুষ গুৰুজনে মহাপুৰুষীয়া ভক্তৰ নিমিত্তে তেওঁৰ ঘোষাত কি মহান্ প্ৰাৰ্থনা লিপিবদ্ধ কৰি থৈ গৈছে হে নিন্দক নিমচান্দ। শুনিবা নে? তাত তুমি কোৱা মুক্তি বা নিৰ্ব্বিশেষ-বাদ আছে নে চাই লবা।

"তুমি চিত্তবৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত।
চৰণ-ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
কৰা দয়া মোক ভগৱন্ত॥
তুমি মোৰ অন্তৰ্য্যামী তযু ভৃত্য ভৈলো আমি
জানি কৃপা কৰা হৃষীকেশ।
দান্তে তৃণ তুলি লওঁ থিমতে সেৱাত ৰওঁ
দিয়া মোক সেহি উপদেশ॥
তুমি ভক্ত কল্পতৰু বাহিৰে-ভিতৰে গুৰু,
তুমি বিনে নাহি মোৰ আৰ।
কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক সেৱা ৰস সাৰ॥
তুমি হৰি কৃপাময় বাহিৰত গুৰুৰূপে
অনুগ্ৰহ কৰি আছা মোক।
অন্তৰ্য্যামী গুৰুৰূপে তাকে সত্য কৰা মোৰ
তযু নামে সদা ৰতি হোক॥
হে কৃষ্ণ হে বাসুদেৱ দৈৱকীনন্দন হৰি
নমো নন্দ গোপৰ কুমাৰ।
কৃপাময় শ্ৰীগোবিন্দ তযু পদ অৰবিন্দ
কৰো মই লক্ষ নমস্কাৰ॥
পদ্ম সম নাভি যাৰ প্ৰণামোহো বাৰ বাৰ
নমো দিব্য পদ্ম মালাধাৰী।
নমো পদ্ম সম নেত্ৰ পদ যাৰ শতপত্ৰ
নমো ভকতৰ ভয়হাৰী॥
বসুদেৱসুত কৃষ্ণ তুমি জগতৰ ইষ্ট
কংস চানুৰাদি বিমৰ্দ্দন।
দৈৱকী হৃদয়ানন্দ জগতৰ গুৰু কৃষ্ণ
তযু পাৱে কৰোহো বন্দন॥
মোৰ সম পাপী লোক নাহিকে ই তিনি লোক
তুমি সম নাহি পাপহাৰী।
ইজানি গোবিন্দ মোক যেন যুৱাই কৰিয়োক
তুৱা পদে কৰোঁহো গোহাৰি॥
সহস্ৰ সহস্ৰ অতি অপৰাধ দিনে-ৰাতি
কৰোঁ মই মহা মূঢ়জন।
আমি প্ৰভু তযু দাস আকে মানি জগবাস
ক্ষমিয়োক শ্ৰীমধুসূদন॥
ধৰ্ম্মক জানোহো মই তথাপি প্ৰবৃত্তি নাই
অধৰ্ম্মত নিবৃত্তি নোহয়।
হৃদিস্থিত হয়া তুমি যেন কৰোৱাহা স্বামী
হৃষীকেশ কৰোঁহো তেনয়॥
নজানোহো আবাহন নজানোহো বিসৰ্জ্জন,
পূজা মন্ত্ৰ নাজানো কিঞ্চিৎ।
এতেকে পৰমেশ্বৰ দাস ভৈলোঁ চৰণৰ,
মোৰ গতি সাধিবে উচিত॥"

তেওঁলোকৰ পুথিৰ পৰা এই মৰ্ম্ম এই তত্ত্ব উদ্ধাৰ কৰিব নোৱাৰি বা ইচ্ছা কৰি নকৰি, তেওঁলোকৰ পুথিৰ অ'ৰ-ত'ৰ পৰা এফাকি দুফাকি পদ তুলি দি মহাপুৰুষীয়া ধৰ্ম্ম অবৈষ্ণৱৰ ধৰ্ম্ম আৰু চৈতন্যৰটোহে প্ৰকৃত বৈষ্ণৱ ধৰ্ম্ম ইয়াকে নিমাইচান্দে দেখুৱাবলৈ গৈছে।

"ৰাজা প্ৰজা জানিলেক ভক্তি পথ,
শঙ্কৰৰ মত শুদ্ধ।" —ঘোষা

এতিয়া বঙালীৰ ফকৰাত কবৰ নিচিনা—

"বাঘ পালান, বিড়াল এল, শীকার করতে হাতী।
মোগল পাঠান হদ্দ হল ফার্সী পড়ে তাতী॥"

আচল কথা আমি তেওঁক কওঁ, তোমালোকে চুলি ফালিবলৈ এৰা। এক ঈশ্বৰকে ভাগ, বিভাগ আৰু বিভাগৰ বিভাগ কৰি সৰু, বৰ, ওখ, চাপৰ কৰিবলৈ নাযাবা, তেহেলৈ তোমালোকৰ খনচেৰেক পুৰাণে যিহকে কওক। সেই পুৰাণ কেইখনৰে আলম লৈ বহলকৈ কৰিত্ৰ কৰি কবিতাৰ কিতাপ আৰু নাটকৰ ওপৰত উঠি,—

"কৃষ্ণ এক দেৱ দুঃখহাৰী কালমায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।"

এই কৃষ্ণক মাথোন গোলোকত আৰু বৃন্দাবনত থাপি, বৈকুণ্ঠৰ কৃষ্ণক স্বকীয়া কৰি, গোলোক মায়াতীত আৰু বৈকুণ্ঠ মায়িক আৰু বিনাশশীল এনেবোৰ কপহুৱা কথা কৈ নিজৰ অজ্ঞতা দেখুৱাই পৰৰ গ্লানি কৰিবলৈ এৰি দিয়া। জানি থোৱা যে চৈতন্যৰ সচ্চিদানন্দ নিত্য সাকাৰ বিগ্ৰহ কৃষ্ণই আৰু গোলোকেই শঙ্কৰদেৱৰ সদানন্দ সনাতন পৰম ব্ৰহ্ম শ্ৰীকৃষ্ণ বা বিষ্ণু আৰু তেওঁৰ বৈকুণ্ঠই চৈধ্য ভুবনৰ বন্দ্য স্থান গোলোক। গীতা-ভাগৱতৰো সেই মত। ভাগৱতৰ দ্বিতীয় স্কন্ধৰ ৯ম অধ্যায়ৰ দশম শ্লোকত আছে—

"প্ৰবৰ্ত্তে যত্ৰ ৰজস্তমস্তয়োঃ
সত্ত্বঞ্চ মিশ্ৰং নচ কাল বিক্ৰমঃ।
ন যত্ৰ মায়া কিমুতাপৰে হৰে
ৰণুব্ৰতা যত্ৰ সুৰাসুৰাৰ্চিতাঃ ॥"

অৰ্থাৎ সেই বৈকুণ্ঠত ৰজো গুণৰ অথবা তমো গুণৰ প্ৰভাৱ লক্ষিত নহয় আৰু সেই গুণদ্বয় সংযুক্ত সত্ত্বগুণ তাত প্ৰবিষ্ট হব নোৱাৰে। তাত কালকৃত বিনাশ বা মায়াৰ প্ৰবেশ নাই। লোভ আৰু মোহাদিৰ উপদ্ৰৱ নাই। তাত দেৱদানৱাৰ্চিত পাৰিষদবোৰ সদায় থাকে।

শ্ৰীকৃষ্ণ যেতিয়া কংসৰ কাৰাগাৰত দৈৱকীৰ গৰ্ভৰ পৰা ভূমিষ্ঠ হ'ল, তেতিয়া প্ৰথমতে তেওঁ কি ৰূপ ধৰি উপজিছিল ? চতুৰ্ভুজ নহয় নে ? ভাগৱতে কয়—

"কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ,
শঙ্খ, চক্ৰ, গদা, পদ্ম কৰত তোমাৰ ॥
চাৰু চাৰি ভুজ অলে আজানুলম্বিত।"

ইয়াৰ মানে কি ? ইয়াৰ মানে বৈকুণ্ঠৰ চতুৰ্ভুজ কৃষ্ণই পিছত দ্বিভুজ বংশীধৰ হৈ অৱতাৰ হোৱাটো নহয় নে ? ইয়াৰ মানে সেই কৃষ্ণই এই কৃষ্ণ নহয় নে ? তেন্তে গোলোকৰ দ্বিভুজ সচ্চিদানন্দ বিগ্ৰহ কৃষ্ণহে তেওঁৰ ৰাধা, গোপী আৰু গোপ বালকেৰে সৈতে পৃথিৱীৰ বৃন্দাবনলৈ আহিছিল আৰু বৈকুণ্ঠৰ চতুৰ্ভুজ নাৰায়ণ বা বিষ্ণু অহা নাছিল আৰু বৃন্দাবনত কৃষ্ণই কৰা ৰাস-লীলাত বৈকুণ্ঠৰ লক্ষ্মীৰ সোমাবৰ অধিকাৰ নাছিল ইত্যাদি ভাগৱতৰ বিৰোধীয়া আন আন পুৰাণ আৰু পদ্যাৱলীৰে কথাবোৰ চোবাই-পাগুলি ভাগৱতত কোৱা কুহক সৃষ্টি কৰিবৰ সকাম কি ? শ্ৰীশঙ্কৰদেৱে এই মকৰা জালখনেৰে তেওঁৰ প্ৰচাৰিত ধৰ্মক আবৃত কৰিবলৈ যোৱা নাই দেখিয়েই হবলা তেওঁ অবৈষ্ণৱ ?

শ্ৰীমদ্ভাগৱতৰ অষ্টাবিংশ অধ্যায়ত আছে—শ্ৰীকৃষ্ণৰ ব্ৰজবাসী জ্ঞাতিসকলে মনে মনে ভাৱিছিল আৰু উৎসুক হৈ কৈছিল যে "কৃষ্ণই অৱশ্যে আমাক তেওঁৰ স্বীয় সূক্ষ্ম পদলৈ লৈ যাব।" কৃষ্ণই তেওঁলোকৰ এই সঙ্কল্প জানি তাক সাধন কৰিবৰ নিমিত্তে কৃপাৱশতঃ চিন্তা কৰিলে—"মানুহে এই লোকত অবিদ্যা, কাম আৰু কৰ্ম্মৰ যোগত উৎকৃষ্টাপকৃষ্ট গতিত ভ্ৰমণ কৰি আপোনাৰ গতি জানিব নোৱাৰে। কৃষ্ণই ইয়াকে চিন্তা কৰি গোপসকলক প্ৰকৃতিৰ পৰৱৰ্ত্তী নিজৰ বৈকুণ্ঠলোক প্ৰদৰ্শন কৰিলে। যাৰ কোনো বাধক নাই, যি অজড়, যি অপৰিচ্ছিন্ন, যি স্বপ্ৰকাশ, যি নিত্য আৰু সমাহিত, মুনিসকলে সমস্ত বৰ্জ্জনৰ পিছত যাক দৰ্শন কৰি থাকে, ভগৱন্তই কৃপা কৰি প্ৰথমতে গোপসকলক সেই ব্ৰহ্মৰূপ দেখালে। তাৰপিছত তেওঁলোকক ব্ৰহ্ম হ্ৰদৰ ওচৰলৈ লৈ গ'ল। তেওঁলোকে তাত নিমগ্ন হৈ বৈকুণ্ঠলোক দৰ্শন কৰিলে।

ইয়াত গোপসকলক কৃষ্ণৰ নিজলোক প্ৰকৃতিৰ পৰৱৰ্ত্তী বৈকুণ্ঠক দেখুৱা কথাহে দেখোন ভাগৱতে কলে ; গোলোকৰ কথা নকলে ?

ব্ৰহ্মমোহনত কৃষ্ণই গোপবালক আৰু বৎসৰে সৈতে চতুৰ্ভুজ মূৰ্ত্তিহে ব্ৰহ্মাৰ আগত প্ৰকাশ কৰিছিল, দ্বিভুজ বংশীধাৰী নহয়। তাৰ মানে আচল তেওঁৰ নিজ ধাম বৈকুণ্ঠত তেওঁৰ সেই মূৰ্ত্তিহে। চতুৰ্ভুজ কৃষ্ণইহে দুইভুজ বংশীধাৰী হৈ বৃন্দাবনত প্ৰকাশিত হৈছিল।

"সগুণো নিৰ্গুণো বিষ্ণুঃ"

অৰ্থাৎ বিষ্ণু বা কৃষ্ণ সগুণো নিৰ্গুণো।

ভাগৱতৰ তৃতীয় স্কন্ধৰ সপ্তম অধ্যায়ৰ দ্বিতীয় শ্লোকত কৈছে—

"লীলয়া বাপি যুঞ্জেৰণ নিৰ্গুণস্য গুণাঃ ক্ৰিয়াঃ।"

অৰ্থাৎ নিৰ্গুণ ব্ৰহ্মাই লীলাবশত গুণ আৰু ক্ৰিয়াযুক্ত হয়।

ভাগৱতৰ সপ্তম স্কন্ধৰ ৯ম অধ্যায়ৰ ৪৮ শ্লোকত আছে—

"সৰ্ব্বম্ ত্বমেব সগুণো বিগুণশ্চ ভূমন্"

অৰ্থাৎ হে সৰ্ব্বব্যাপিন। তুমি সগুণো-নিৰ্গুণো। তুমিয়েই সমস্ত।

ভাগৱতৰ প্ৰথম স্কন্ধৰ দ্বিতীয় অধ্যায়ৰ একাদশ শ্লোকত কৈছে—

বদন্তি তৎ তত্ত্ববিদস্তত্ত্বং যদ্ জ্ঞানমদ্বয়ং
ব্ৰহ্মেতি পৰমাত্মেতি ভগবান্ ইতি শব্দ্যতে ॥

অৰ্থাৎ সেই অদ্বিতীয় চিৎ বস্তুক তত্ত্বজ্ঞানীসকলে তত্ত্ব আখ্যা প্ৰদান কৰে। তেৱেঁই ব্ৰহ্ম, তেৱেঁই পৰমাত্মা। তেৱেঁই ভগৱন্ত অৰ্থাৎ সগুণ ব্ৰহ্ম বা মহেশ্বৰ।

তেৱেঁই শ্বেতাশ্বতৰ উপনিষদৰ—"তম্ ঈশ্বৰাণাং পৰম মহেশ্বৰম্", তেৱেঁই ছান্দোগ্য উপনিষদৰ "একমেবাদ্বিতীয়ং"। তেৱেঁই বৃহদাৰণ্যকৰ "নেহ নানাস্তি কিঞ্চন"। তেৱেঁই কঠোপনিষদৰ—

"মহতঃ পৰমব্যক্তম্ অব্যক্তাৎ পুৰুষঃ পৰঃ।

পুৰুষান্ নপৰং কিঞ্চিৎ সা কাষ্ঠা সা পৰাগতিঃ।"
তেৱেঁই গীতাৰ—

"মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদস্তি ধনঞ্জয় ।"
তেৱেঁই বিষ্ণুপুৰাণৰ—

সদক্ষৰং ব্ৰহ্ম য ঈশ্বৰঃ পুমান্
গুণোর্ম্মি সৃষ্টি স্থিতি কাল সংলয় ।

তেৱেঁই শ্ৰীশঙ্কৰদেৱৰ—

"নাহি আদি অন্ত পূৰ্ব্বাপৰ ।
পূৰ্ণব্ৰহ্ম জগতঈশ্বৰ (শ্ৰীকৃষ্ণ) ॥" —কীৰ্ত্তন

"যিটো ব্ৰহ্ম নোহে তৰ্ক গোচৰ ।
নপাৰে বচনে মনে ওচৰ ॥
নাহি উতপতি নাহি মৰণ ।
সদায়ে প্ৰণামো তান চৰণ ॥" —কীৰ্ত্তন

"যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ ।"
—উপনিষদ

তেৱেঁই শ্ৰীশঙ্কৰদেৱৰ কৃষ্ণ যাৰ পদৰজ—

"যিটো পদৰজ ভকতে পাই ।
এড়ে সাৰ্ব্বভৌম পদতো দাই ॥
স্বৰ্গ ব্ৰহ্মপদ নকৰে বাঞ্ছা ।
নকৰন্ত যোগ সিদ্ধিকো ইচ্ছা ॥
মোক্ষতো অভিলাষ নাহি হৰি ।
তোমাৰ চৰণ ৰেণুক এৰি ॥ —কীৰ্ত্তন

তেৱেঁই মাধৱদেৱৰ—

কৃষ্ণ এক দেৱ দুখহাৰী কালমায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ ॥
নমো নমো নিত্য নিৰঞ্জন নাৰায়ণ শিৱ সনাতন
অনাদি অনন্ত নিৰ্গুণ গুণনিয়ন্তা ।
পৰম পুৰুষ ভগৱন্ত নাহি পূৰ্ব্বাপৰ আদি অন্ত
তুমিসে চৈতন্য সমস্ত ভৱ ভাৱন্তা ॥
"সদা জন্ম জৰা মৃত্যু হীন শ্ৰীমন্ত সুন্দৰ গুণনিধি"
"সৃষ্টি স্থিতি প্ৰলয়ৰ যিটো পৰম কাৰণ নাৰায়ণ"

নিমচান্দে তেওঁৰ কিতাপত কৈছে—"মহাপুৰুষীয়া সম্প্ৰদায়েৰ বেদান্ত ভাষ্য নাই ।"

আমি কওঁ নিমচান্দৰ ঘটত আজল আছে নেকি? মহাপুৰুষীয়াৰ বেদান্ত ভাষ্য নাথাকিলেই বা । "বলি হে নিমাইচান্দ । ভায়া ! তুমি অসমীয়া । বাঙ্গালী সাজ্তে গিয়ে লাভেৰ মধ্যে তোমাকে বাঙ্গালী ভূতে ধৰছে । শোন"—

বেদান্তৰ ভাষ্য শ্ৰীমদ্ভাগৱত । এই কথা তোমাৰ চৈতন্যাই স্বীকাৰ কৰিছে । শ্ৰীমদ্ভাগৱতৰ সাৰাংশৰ অনুবাদ শ্ৰীশঙ্কৰদেৱৰ দশম কীৰ্ত্তন আৰু শ্ৰীমাধৱদেৱৰ ঘোষা ৰত্নাৱলী । মহাপুৰুষীয়া ধৰ্ম্ম শ্ৰীমদ্ভাগৱত আৰু গীতাৰ ওপৰত ঠাইকে প্ৰতিষ্ঠিত । মহাপুৰুষে ঘোষাত লিখিছে—

শঙ্কৰেসে শুদ্ধমত ঈশ্বৰ ভক্তিৰ পথ
প্ৰচাৰিলা শাস্ত্ৰসাৰ জানি ।
ইহাক নাজানি নৰে জীৱিকাৰ অৰ্থে ফুৰে
আপনাৰ মহত্ত্ব বখানি ॥"

ইয়াৰ মৰ্ম্ম—শ্ৰীশঙ্কৰদেৱে সত্ত্ব, ৰজ, তম এই ত্ৰিবিধ গুণাত্মক শাস্ত্ৰসকলৰ মতৰ বিচাৰ কৰি, সত্ত্ব গুণাত্মক শাস্ত্ৰবোৰৰ মত আনবোৰতকৈ শ্ৰেষ্ঠ জানি আৰু সত্ত্বগুণাত্মক শাস্ত্ৰবোৰৰ সাৰবস্তু যে হৰিভক্তি তাকে সাৰোগত কৰি, তেওঁৰ শুদ্ধ সত্ত্ব সনাতন ধৰ্ম্মমত প্ৰচাৰ কৰিলে, জীৱৰ তৰণৰ নিমিত্তে । এই কথাকে নাজানি আন মানুহে নিজৰ জীৱিকা মোকোলাবলৈ ধৰ্ম্মগুৰু আৰু ধৰ্ম্মপ্ৰচাৰক সাজি লোকৰ আগত নিজৰ মহত্ত্ব বখানি ফুৰে । সত্ত্বগুণাত্মক শাস্ত্ৰ—

বৈষ্ণৱং নাৰদীয়ঞ্চ তথা ভাগৱতং শুভং
গৰুড়ঞ্চ তথা পাদ্মং ৱাৰাহং শুভদৰ্শনে ।
সাত্ত্বিকানি পুৰাণানি বিজ্ঞেয়ানি মনীষিভিঃ ॥"

ৰজোগুণাত্মক শাস্ত্ৰ—

"ব্ৰহ্মাণ্ডং ব্ৰহ্মবৈবৰ্ত্তং মাৰ্কণ্ডেয়ং তথৈৱচ ।
ভৱিষ্যং ৱামনং ব্ৰাহ্মং ৰাজসানি নিবোধত ॥"

এই ৰজোগুণাত্মক শাস্ত্ৰবোৰ যেনে, ব্ৰহ্মাণ্ড পুৰাণ, ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ শ্ৰীচৈতন্যদেৱৰ প্ৰধান অৱলম্বন । তমোগুণাত্মক শাস্ত্ৰ—

মৎস্যং কৌৰ্ম্মং তথা লিঙ্গং শৈৱং স্কান্দং তথৈৱচ ।
আগ্নেয়ঞ্চ ষড়েতানি তামসানি নিবোধত ॥

চৈতন্যৰ ধৰ্ম্মকথাত যদিও ভাগৱত আৰু গীতাৰ ওপৰত প্ৰতিষ্ঠিত বোলে, কিন্তু কাৰ্য্যত আংশিকৰূপে গীতা-ভাগৱতৰ ওপৰত প্ৰতিষ্ঠিত হলেও, ঘাইকৈ ব্ৰহ্মসংহিতা, বিষ্ণু-পুৰাণ, বৃহদ-গৌতমীয় তন্ত্ৰ, পদ্মপুৰাণ, আদিপুৰাণ, ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ, ব্ৰহ্মাণ্ডপুৰাণ, লঘুভাগৱতামৃত, জয়দেৱৰ গীতগোবিন্দ, ৰূপসনাতনৰ কাব্যালঙ্কাৰ-বিভূষিত গ্ৰন্থ আৰু নাটকবোৰ আৰু ৰামানন্দ ৰায়ৰ ৰাধাকৃষ্ণ প্ৰেমবিষয়ক সহজীয়া মতৰ শিক্ষা আৰু গীত পদ ইত্যাদি । বৰং অনেক স্থলত চৈতন্যৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্মৰ মত আৰু আচৰণ শ্ৰীমদ্ভাগৱতৰ মতৰ বিৰোধী । উদাহৰণ স্বৰূপে দেখুৱাওঁ ।

প্ৰথমতে ভাগৱতত ৰাধাৰ প্ৰাধান্য দূৰৰ কথা ৰাধাৰ নামেই নাই ; ৰাখোন গোপীসকলৰ মাজৰ

আলিকাত আন আন গোপীৰ শাৰীত ৰাধা নামৰ গোপী এজনাৰ নাম শ্ৰীশঙ্কৰদেৱে ৰচিত দশমত দেখা যায়। তেৰেঁা দহজনাৰ লগৰ এজনা। ৰাস-লীলাত এজনী গোপীক লগত লৈ কৃষ্ণ আনবিলাকৰ পৰা অদৃশ্য হৈ যোৱাৰ কথাত গোপীসকলে কৃষ্ণক বিচাৰি ফুৰেঁাতে কৃষ্ণৰ খোজৰ লগত এজনী গোপীৰ খোজ দেখিবলৈ পাই হিংসাত কৈছিল—

"অনয়াৰাধিতো নূনং ভগবান হৰিৰীশ্বৰঃ।
যন্নো বিহায় গোবিন্দ প্ৰীতো যামনয়দ্ৰহ ॥"

অৰ্থাৎ এই নাৰীয়ে নিশ্চয় ঈশ্বৰ ভগৱন্ত হৰিৰ আৰাধনা কৰিছিল। কিয়নো কৃষ্ণই আমাক এৰি তাইক লগত লৈ আহিল। এই আৰাধিতো শব্দৰ পৰা তেওঁলোকে ৰাধাক বাহিৰ কৰিছে।

"দেখ সখি, খোজ কোন জনী যায় সঙ্গে।
কৃষ্ণৰ কান্ধত হাত দিয়া লীলা ৰঙ্গে ॥
নিশ্চয়ে জানিলো আৰাধিলে দেৱ হৰি।
তাইক লগে নেয় আমি সমস্তকে এড়ি ॥"

ৰাধা যদি একেবাৰেই স্পষ্টকৈ সকলোৰে ভিতৰত শ্ৰেষ্ঠা গোপী (শ্ৰেষ্ঠা কি? অদ্বিতীয়া) তেনে গোপীসকলে "কোন জনী যায় সঙ্গে" এনেকৈ কয় কিয়? যদি সেই জনা গোপীকে ৰাধা বুলিব লাগে তেন্তে এইটো নিশ্চয় যে তেওঁ আন গোপীৰ ভিতৰত দহজনীৰ এজনী। কিন্তু এইজনা গোপীৰো পৰীক্ষা উপস্থিত হল। তেওঁ যেতিয়া কৃষ্ণৰ আদৰ পাই গৰ্ব্বত স্ফীত হৈ উঠি কৃষ্ণৰ কান্ধত উঠিবলৈ গৈছিল, কৃষ্ণই তেওঁক এৰি ততালিকে নাইকিয়া হল। তেওঁ পুনৰ্ম্মুষিক হৈ আকৌ আনবোৰৰ শাৰীলৈ নামি কৃষ্ণক বিচাৰিবলগীয়াত পৰিল।

"চলি যায় যিটো গোপী কৃষ্ণৰ লগত।
মহা গৰ্ব্ব ভাব তাইৰ বাঢ়িল মনত ॥
কৃষ্ণক আশায়ে আইলো যত গোপীজাক।
সবাকে এৰিয়া কৃষ্ণে ভজিলা আমাক ॥
সমস্তে নাৰীত শ্ৰেষ্ঠ আপনাক মানি।
মহাদৰ্পে কৃষ্ণক বুলিল হেন বাণী ॥
চলিতে নপাৰো আৰ মই এক ভৰি।
বৈকে মন নিয়া আৰে লাগে যেন কৰি ॥
শুনি হেন হৰিও বুলিলা তাইক হাসি।
ৰাইবে যেৰে লোৱাৰা কান্ধত উঠা আসি ॥
শুনি উঠিবেক তাই গৈল কাছি পাৰি।
দেখি অন্তৰ্দ্ধান ভৈল আগতে মুৰাৰি ॥" —কীৰ্ত্তন

মুঠতে ভাগৱতত ৰাসৰ গোপীৰ পদ বা মৰ্য্যাদা সকলোৰে সমান। ৰাধা শ্ৰেণীৰ কল্পনা, গৌড়ীয় বৈষ্ণৱসকলৰ অৱলম্বিত অন্যান্য শ্ৰেণীৰ শাস্ত্ৰপ্ৰসূত, আৰু তাৰ ওপৰত তেওঁলোকৰ নিজৰ কল্পনালহৰীৰ বিশাল বিকাশৰ "কাৰিকৰি।"

ভাগৱতে কয়—

ৰাসোৎসৱঃ সংপ্ৰবৃত্তো গোপীমণ্ডলমণ্ডিতঃ।
যোগেশ্বৰেণ কৃষ্ণেন তাসাংমধ্যে দ্বয়োৰ্দ্বয়োঃ ॥
প্ৰবিষ্টেন গৃহীতানাং কণ্ঠে স্বনিকটং স্ত্ৰিয়ঃ।
যংমন্যেৰন্নভস্তাৰদ্বিমান শত সঙ্কুলম্।
দিবৌকসং সদাৰানামত্যোৎসুক্যভৃতাত্মনাম্।
ততো দুন্দুভয়ো নেদুৰ্নিপেতুঃ পুষ্পবৃষ্টয়ঃ ॥

"শুক নিগদতি পাছে গোবিন্দে তহিতে।
আৰম্ভিলা ৰাসক্ৰীড়া গোপিকা সহিতে ॥
দুহেঁা গোপী মাজে এক ভৈলন্ত মাধৱ।
প্ৰৱৰ্ত্তিল তথা ৰাসক্ৰীড়া মহোৎসৱ ॥
ভৈলন্ত মণ্ডলাকাৰ হাতে গলে ধৰি।
সবে বোলে মোকেসে আলিঙ্গি আছে হৰি ॥
আসিল সভাৰ্য্যে যত দেৱগণ মানে।
যুৰিয়া আকাশ আসি অসংখ্য বিমানে ॥
মাধৱৰ ৰাসক্ৰীড়া চাৱে একদৃষ্টি।
ৰাৱে দেৱে দুন্দুভি কৰিয়া পুষ্পবৃষ্টি ॥"

কিন্তু চৈতন্যদেৱৰ মতৰ Conception—

"কৃষ্ণেৰ সকল বাঞ্ছা ৰাধাতেই ৰহে।"
এক মাথোন "ৰাধিকা কৰেন কৃষ্ণেৰ ৰাঞ্ছিত পূৰণ।"
"জগৎমোহন কৃষ্ণ তাঁহাৰ মোহিনী।
অতএৱ সমস্তেৰ পৰা ঠাকুৰাণী ॥"

আনবোৰ গোপী মাথোন ৰাধিকাৰ বা কৃষ্ণৰ ৰাধা প্ৰেমস্বাদনৰ সহায়।

"বহুকান্তা বিনে নহে ৰসেৰ উল্লাস।
লীলাৰ সহায় লাগি বহুত প্ৰকাশ।"
শ্ৰীকৃষ্ণই "ৰাঙ্গা ভৱি আস্বাদিল (ৰাধিকাৰ)
ৰসেৰ নিৰ্য্যাস।"

আনবিলাক গোপীৰ আন কামনা নাই। কামনা কেৱল ৰাধিকাক সেই কাৰ্য্যত সহায় কৰা।

"কৃষ্ণেৰ মাধুৰী কৃষ্ণে উপজয় লোভ।
সম্যক আস্বাদিতে নাৰে মনে ৰহে ক্ষোভ ॥"

সেই ক্ষোভ মিটাবলৈ কৃষ্ণই চৈতন্য অৱতাৰ ধৰিলে আৰু মিটালে।

ভাগৱতত শ্ৰীকৃষ্ণই আটাইবোৰ গোপীকে সমান-ভাৱে কৈছিল, অকল ৰাধা নামৰ এজনা গোপীক বেলেগাই কৈ কোৱা নাছিল—

"ন পাৰয়েহহং নিৰৱদ্য সংযুজাং
স্বসাধুকৃত্যং বিবুধায়ুষাপিবঃ।

যা মাভজন্ দুৰ্জ্জয় গেহশৃঙ্খলাঃ
সংবৃশ্চ্য তদ্বঃ প্রতিযাতু সাধুনা ॥"

অৰ্থাৎ হে সুন্দৰীসকল! তোমালোকৰে সৈতে মোৰ প্ৰেমসংযোগ নিৰবদ্য অৰ্থাৎ নিৰ্ম্মল। মই ব্ৰহ্ম-বৃন্দপতি কাল জীৱন ধাৰণ কৰিও তোমালোকৰ প্ৰতি কৰ্ত্তব্যানুষ্ঠান কৰিবৰ সমৰ্থ নহয়; কাৰণ তোমালোকে দুশ্ছেদ্য গৃহশৃঙ্খল ছেদন কৰি মোক ভজনা কৰিছা।

গৌড়ীয় মত—কৃষ্ণই কৈছে—

"কৃষ্ণেৰ বিচাৰ এক ৰহয়ে অন্তৰে।
পূৰ্ণানন্দ পূৰ্ণৰস ৰূপ কহে মোৰে ॥
আমা হৈতে আনন্দিত হয় ত্ৰিভুবন।
আমাকে আনন্দ দিবে ঐসে কোনজন ॥
আমা হৈতে যাৰ হয় শত শত গুণ।
সেইজন আহ্লাদিতে পাৰে মোৰ মন ॥
আমা হৈতে গুণী বড় জগতে অসম্ভৱ।
একলি ৰাধাতে তাহা কৰি অনভৱ ॥
কোটি কাম জিনি ৰূপ যদ্যপি আমাৰ।
অসামাৰ্দ্ধ মাধুৰ্য্য সাম্য নাহি যায় ॥
মোৰ ৰূপে আপ্যায়িত হয় ত্ৰিভুবন।
ৰাধাৰ দৰ্শনে মোৰ জুড়ায় নয়ন ॥
মোৰ বংশী গীতে আকৰ্ষয়ে ত্ৰিভুবন।
ৰাধাৰ বচনে হৰে আমাৰ শ্ৰবন ॥
যদ্যপি আমাৰ স্পৰ্শে কোটীন্দু শীতল।
ৰাধিকাৰ স্পৰ্শে আমা কৰে সুশীতল ॥
এই মত জগতেৰ সুখে আমি হেতু।
ৰাধিকাৰ ৰূপ গুণ আমাৰ জীৱাতু ॥"

এই মত শ্ৰীমদ্ভাগৱতৰ মতৰ বিৰোধী। শ্ৰীমদ্ভাগৱতত শ্ৰীকৃষ্ণক পূৰ্ণকাম বুলিছে। কিন্তু ইয়াত তেওঁৰ কামনা অসম্পূৰ্ণ। কামনা ৰাধা প্ৰেম আস্বাদন। শ্ৰীকৃষ্ণ অৱতাৰত তাক পুৰাকৈ পাব নোৱাৰিলে দেখি, চৈতন্যৰ অৱতাৰ ধৰি তাক আস্বাদন কৰি হেঁপাহ পলুৱালে।

ভাগৱতত কৈছে, গোপীয়ে কৃষ্ণক মোহিব নোৱাৰিলে; কৃষ্ণইহে মোহিলে; কাৰণ তেওঁ পূৰ্ণকাম। ভাগৱতত বৰ্ণিত ৰাসৰ উদ্দেশ্য আৰু লক্ষ্য চৈতন্যায়ী মতেৰে সৈতে পৃথক। ভাগৱতৰ ৰাসলীলাৰ প্ৰথম অধ্যায়ৰ প্ৰথম শ্লোকতেই শুকদেৱে কৈছে—

ভগৱানপি তা ৰাত্ৰীঃ শাৰোদোৎফুল্লমল্লিকাঃ।
বীক্ষ্য ৰন্তুং মনশ্চক্ৰে যোগমায়ামুপাশ্ৰিতঃ ॥

ভগৱানপি শব্দ শুকদেৱে ইচ্ছা কৰি ব্যৱহাৰ কৰি এইটোকে বুজাইছে, যে তেওঁ ষড়ৈশ্বৰ্য্যপূৰ্ণঃঅপি অৰ্থাৎ তেওঁ যদিও স্বতন্তৃপ্ত তথাপি যোগমায়া নামক অচিন্ত্য শক্তিক আশ্ৰয় কৰি বিহাৰ কৰিবৰ বাসনা কৰিলে। অসাধ্যসাধিকা ভগৱৎ শক্তিৰ নাম যোগমায়া। যোগমায়াই অসত্যক সত্য যেনকৈ দেখুৱায়। মায়াধীশ ভগৱন্ত শ্ৰীকৃষ্ণই সেই যোগমায়াৰ প্ৰভাৱেৰে ৰতিক্ৰিয়াৰ নিচিনাকৈ দেখুৱাইছিল, দেখুৱাবৰ আৱশ্যক হৈছিল। ভগৱন্তই নিজেই কৈছে, "নাহং প্ৰকাশঃ সৰ্ব্বস্য যোগমায়া সমাবৃতঃ" (গীতা) অৰ্থাৎ সেই যোগমায়াৰে আবৃত থাকো, সেই নিমিত্তে সকলোৱে মোক ঠিক দেখিবলৈ নাপায়। ৰাসলীলাত ভগৱন্তই বহিৰঙ্গ মানুহৰ প্ৰতীতিৰ নিমিত্তেই যোগমায়াক আশ্ৰয় কৰি তেনেকৈ দেখুৱাইছিল। শ্ৰীধৰ স্বামীয়ে ৰাসলীলা ব্যাখ্যা কৰিবলৈ আৰম্ভ কৰিয়েই কৈছে—

"ব্ৰহ্মাদি-জয়-সংৰূঢ়-দৰ্প কন্দৰ্প-দৰ্পহা।
জয়তি শ্ৰীপতিৰ্গোপী ৰাসমণ্ডল-মণ্ডিতঃ ॥"

অৰ্থাৎ কন্দৰ্পই ব্ৰহ্মাদি দেৱতাসকলক পৰাভূত কৰি চিৰকাল দৰ্প কৰি থাকে। ভগৱন্ত লক্ষ্মীপতিয়ে কন্দৰ্পৰ সেই দুৰ্দৰ্প দমন কৰি গোপীসকলৰ মণ্ডলৰ ভিতৰত শোভা পাইছে।

পৰীক্ষিতে শুকদেৱক প্ৰশ্ন কৰিছিল—

"পুছে পৰীক্ষিতে শুনি মিলিল সংশয়।
জাৰ বুদ্ধি মাধৱক সেৱে গোপীচয় ॥
তথাপি কৃষ্ণক পাইলে কিনো বিপৰ্য্যয় ॥"

শুকদেৱে যি উত্তৰ দিলে, তাৰ সংক্ষেপ মৰ্ম্ম—

"যেনতেন মতে মাত্ৰ স্মৰোক সততে।
এতকে মুকুতি পাৱে কহিলো বেকতে ॥"

গোপীসকলে হেৰোৱা কৃষ্ণক আকৌ পাই প্ৰশ্ন কৰিলে—

"ভজতোহনুভজন্ত্যেক এ এততদৰিপৰ্য্যয়ম্।
নোভয়াংশ্চ ভজন্ত্যন্য এতন্নোব্ৰুহি সাধু ভোঃ ॥"

অৰ্থাৎ গোপীসকলে—

"ছলে পৰিহাস কৰিয়া তথা।
প্ৰণয় কোপে সোধে সবে কথা ॥
কতো মনুষ্যে ভজে ভজন্তাক।
নভজে বিবা কেহো ভজে তাক ॥
ভজন্তা নভজন্তা দুইকো আসি।
নভজয় কোনে কয়ো প্ৰকাশি ॥"

কৃষ্ণই উত্তৰ দিলে—

"গোপীৰ শুনি গূঢ় অভিপ্ৰায়।
দিলন্ত উত্তৰ যাদৱ ৰায় ॥
শুনা সখি সব আমাৰ বাক।
বিজনে মাত্ৰ ভজে ভজন্তাক ॥

সুহৃদ নুহি নাহি তাৰ ধৰ্ম্ম ।
আপোন অৰ্থে কৰে মাত্ৰ কৰ্ম্ম ।।
বিজনে ভজে নচাই উপকাৰ ।
সুহৃদ সেহি ধৰ্ম্ম সিজে তাৰ ।।
ভজে নভজে দুইতো নোদে মন ।
আছে চাৰি বিধ শুনা লক্ষণ ।।
যিটো ব্ৰহ্মজ্ঞানী দেখে সবে মিছা ।
যিজন পূৰ্ণ ভোগে নাহি ইচ্ছা ।।
গুৰুদ্ৰোহী যিটো একো নমানে ।
যিটো মহামূৰ্খ কিছু নভানে ।।
নভজে দুইকো এহি চাৰিজন ।
কহিলো মই নিষ্ঠে গোপীগণ ।।

*

"সখীসব আমি চাৰিতো বাজ ।"

তথাপি হেনো চৈতন্যীয়াৰ মতে শ্ৰীকৃষ্ণৰ কামনা থাকি গল, নিজৰ প্ৰেম নিজে ৰাধাৰ দৰে আস্বাদন কৰিবলৈ নাপালে । পূৰ্ণকাম হবি, আত্মাৰাম কৃষ্ণ তেওঁৰ কামনা ৰৈ গল হেনো । কৃষ্ণ প্ৰেমৰ কি বিকৃত ব্যাখ্যা ।

"কৃত্বা তাবন্তমাত্মানং যাবতী গোঁপযোষিতঃ ।
ৰৰাম ভগবাংস্তাভি ৰাত্মাৰামোহপি লীলয়া ।।"

অৰ্থাৎ ভগৱন্ত শ্ৰীকৃষ্ণ আত্মাৰাম হৈয়ো যত গোপী, তত ৰূপ ধাৰণ কৰি, তেওঁলোকৰ সৈতে স্বচ্ছন্দে বিহাৰ, কৰিবলৈ ধৰিলে । বিহাৰৰ আৱশ্যক কাৰ । আত্মাৰাম কৃষ্ণৰ নে গোপীসকলৰ ? নে ৰাধাৰ ? কৃষ্ণই তেওঁলোকৰ সৈতে যি বিহাৰ কৰিলে, সি কেনে বিহাৰ ?

"এবং পৰিস্বঙ্গ কৰাভিমৰ্ষ
স্নিগ্ধেক্ষণোদ্দাম বিলাসহাসৈঃ ।
ৰেমে ৰমেশো ব্ৰজসুন্দৰীভি
ৰ্যথাৰ্ভকঃ স্বপ্ৰতিবিম্ববিভ্ৰমঃ ।।"

অৰ্থাৎ—"নপাৰিলে গোপীগণে মোহিবে কৃষ্ণক ।
ছায়ায়ে সহিতে যেন ওমলে বালক ।
কৃষ্ণৰ ক্ৰীড়াত বিমোহিত গোপবালা ।
খসে অলঙ্কাৰ কাৰো ছিণ্ডি পৰে মালা ।"

"গোপীনাং তৎ পতীনাঞ্চ সৰ্ব্বেষাণাঞ্চ দেহিনাম্ ।
যোহন্তশ্চৰতি সোহধ্যক্ষ এষ ক্ৰীড়নদেহভাক ।।"

"যাৰ পাদ-পদ্ম চিন্তি সাম্প্ৰতে ।
ছিণ্ডে কৰ্ম্মবন্ধ হেলে ভকতে ।।
ধৰিছা লীলাতনু হেন হৰি ।
শুনা কথা তাত সংশয় এৰি ।।
জগন্ত অন্তৰ্য্যামী নাৰায়ণ ।
আন কোন পৰদাৰা গমন ।।

শৃঙ্গাৰ ৰসে যাৰ আছে মতি ।
আৰু শুনি হৌক নিৰন্তৰ মতি ।।
ভকতৰ পদে আপুনি হৰি ।
ক্ৰীড়িলা ৰঙ্গে নৰ-দেহা ধৰি ।।"

*

"ইটো কামজয় কৃষ্ণৰ কথা ।"

*

ইটো ৰাসক্ৰীড়া বোলি নামে কামজয় ।
কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময় ।।
আৰু শুনে ভণে যিটো জন অবিশ্ৰাম ।
বাঢ়িবে ভকতি অতি জিনিবেক কাম ।।

"অনুগ্ৰহায় ভক্তানাং মানুষং দেহমাশ্ৰিতঃ ।
ভজতে তাদৃশী ক্ৰীড়া যাঃ শ্ৰুত্বা তৎপৰো ভবেৎ ।।"

অৰ্থাৎ স্বয়ং ভগৱন্তই ভক্তসকলক অনুগ্ৰহ কৰিবলৈ নবদেহ ধাৰণ কৰি এইদৰে লীলা কৰিলে, যাক শুনি মানুহ কৃষ্ণপৰায়ণ হয় ।

ভাগৱতৰ মতে এইটোতো ৰাসৰ উদ্দেশ্য, এই-টোতো মৰ্ম্ম । এই ৰাসত কৃষ্ণৰ মনস্কাম পূৰ্ণ নহল, ৰাধাই তেওঁৰ প্ৰেম আস্বাদন কৰি কেনে সোৱাদ পাইছিল, সেইটো তেওঁ নিজে ৰাধাভাবাপন্ন হৈ অৱতাৰ নধৰিলে বুজিব নোৱাৰে দেখি চৈতন্যাৱতাৰ হল, এইবোৰ কথা, শ্ৰীমদ্ভাগৱতবো নহয় আৰু শ্ৰীশঙ্কৰদেৱৰো নহয়, তেহেলৈ তেওঁলোকে শঙ্কৰদেৱক অবৈষ্ণৱ, নিৰ্ব্বিশেষবাদী, নাস্তিক যি পাৰে বোলক ।

চৈতন্যই কৈছে "চিৰকাল নাহি কৰি প্ৰেম-ভক্তি দান ।" এইবাৰ সেইদেখি তাকে কৰিবলৈ আহিছোঁ । এই কথা যদি সঁচা, তেন্তে আমি কওঁ তেওঁ অহাৰ আগেয়ে শ্ৰীমদ্ভাগৱতে আৰু ইমানবোৰ প্ৰেম-ভক্তিৰ শাস্ত্ৰই কি কৰিছিল ? শ্ৰীকৃষ্ণই নিজে অৱতাৰ হৈ কি কৰিছিল ? সেইটো চৈতন্যলৈ বাকী ৰাখিছিল নেকি ? আৰু দেখোন চৈতন্যদেৱৰ সৈতে দেখা হবৰ আগৰে পৰা ৰামানন্দ ৰায় ৰাধা-প্ৰেমত তলং ভটং । ৰূপ সনাতন অৰ্থাৎ দবীৰখাঁ আৰু সাকৰ মল্লিকো দেখোন তথৈবচ আছিল । অৱশ্যে আগৰ তৰপে চৈতন্যৰ দৰে প্ৰদৰ্শনী পাতি যাকে তাকে, পাত্ৰত আৰু অপাত্ৰত হৰিনাম আৰু কৃষ্ণ প্ৰেম বিলোৱা নাছিল ।

"মাগে বা নামাগে কেহ পাত্ৰ বা অপাত্ৰ ।
ইহাৰ বিচাৰ নাহি জানে দিব মাত্ৰ ।
অঞ্জলি অঞ্জলি ভৰি ফেলে চতুৰ্দ্দিশে ।"—চৈ,চ

"হেন প্ৰেম শ্ৰীচৈতন্য দিল যথা তথা ।
জগাই মাধাই পৰ্য্যন্ত অন্যেৰ কা কথা ।
স্বতন্ত্ৰ ঈশ্বৰ প্ৰেম নিগূঢ় ভাণ্ডাৰ ।
বিলাইল যাৰে তাৰে নাকৈল বিচাৰ ।।"—চৈ,চ

"সেই ৰাধাৰ ভাব লৈঞা চৈতন্যাবতাৰ।
যুগ ধৰ্ম্ম নাম প্ৰেম কৈল পৰচাৰ।
সেই ভাৱে নিজ বাঞ্ছা কৰিল পূৰণ।
অৱতাৰেৰ এই হেতু মূল যে কাৰণ॥"—চৈ,চ

কিন্তু শাস্ত্ৰত কৈছে—

"নাহিকে শ্ৰদ্ধা নপাতয় কাণ।
তাক যিটো দেয় নামক দান॥
নামৰ দ্ৰোহী নাই তাত পৰে।"—কীৰ্ত্তন

অৱশ্যে চৈতন্যীয়াসকলে কব, চৈতন্য স্বতন্ত্ৰ ঈশ্বৰ। তেওঁ যিহকে মন যায় তাকে কৰিব পাৰে। শাস্ত্ৰৰ বিধি-বিধান আন সকল মানুহৰ পক্ষেহে। কিন্তু গীতা-ভাগৱতৰ এনে মত নহয়। ঈশ্বৰৰ যদিও কোনো কৰ্ত্তব্য নাই, তথাপি তেওঁ অৱতাৰ ধৰি বেদবিহিত কাৰ্য্যবোৰ কৰে, বেদ উলঙ্ঘা নকৰে, লোক শিক্ষাৰ নিমিত্তে, সমাজৰ বান্ধোন ৰক্ষাৰ নিমিত্তে।

"ন মে পাৰ্থাস্তি কৰ্ত্তব্যং ত্ৰিষু লোকেষু কিঞ্চন।
নানবপ্তামবাপ্তব্যং বৰ্ত্ত এব চ কৰ্ম্মনি॥
যদি হ্যহং ন বৰ্ত্তেয়ং জাতু কৰ্ম্মণ্যতন্দ্ৰিতঃ।
মম বৰ্ত্মানুবৰ্ত্তান্তে মনুষ্যাঃ পাৰ্থ সৰ্ব্বশঃ॥
উৎসীদেয়ুৰিমে লোকা ন কুৰ্য্যাং কৰ্ম্মচেদহং।
সঙ্কৰস্য কৰ্ত্তাস্যামুপহন্যামিমাঃ প্ৰজাঃ॥—গীতা

শ্ৰীকৃষ্ণই দ্বাৰকাত গৃহস্থী হৈ থাকি গাৰ্হস্থ্য আশ্ৰমৰ সকলো বেদবিহিত কৰ্ম্মৰ অনুষ্ঠান কৰিছিল কিয়? লোক-শিক্ষাৰ নিমিত্তে। মহাভক্ত, বিষয়ত বিৰক্ত প্ৰহলাদকে নৃসিংহই উপদেশ দিছিল—"কৰিয়ো পিতৃৰ প্ৰেতকাৰ্য্য যেন বিধি।" বৈষ্ণৱ ভক্তই—

"কৃষ্ণপদ মাত্ৰ সেৱা কৰে সমস্ত কামনা পৰিহৰে
বেদ ব্যৱহাৰ কদাচিতো নলঙ্ঘয়॥"

বৈষ্ণৱ আৰু কৃষ্ণ বা বিষ্ণু অভেদ। বেদৰ বিধান উলঙ্ঘা কৰি চলোঁতাক মাধৱে অবৈষ্ণৱ বুলিছে।

পাঠকে এতিয়া শ্ৰীশঙ্কৰদেৱে প্ৰচাৰিত ভাগৱতী ধৰ্ম্মৰে সৈতে শ্ৰীচৈতন্যদেৱে প্ৰচাৰিত ধৰ্ম্মৰ প্ৰভেদ ভালকৈ দেখিলে। শাস্ত্ৰজ্ঞ শঙ্কৰদেৱ কলিত সন্ন্যাসৰ বিৰোধী। সেই সন্ন্যাস চৈতন্যদেৱাৱলম্বিত। দেশকাল পাত্ৰৰ অৱস্থা আৰু গতি-গতি জানোঁতা শঙ্কৰদেৱে আৰু ভবিষ্যত ভাবি কাম কৰোঁতা দূৰদৰ্শী শঙ্কৰদেৱে কলিত পৰকীয়া প্ৰেমাস্বাদনৰ অভিনয়েৰে ভক্তি প্ৰচাৰৰ বিৰোধী; কাৰণ তাৰ অনতিবিলম্বে নিশ্চয়কৈ ঘটিবৰ কুফল তেওঁ ভালকৈ হৃদয়ঙ্গম কৰিব পাৰিছিল, সেইদেখি তেওঁৰ ধৰ্ম্মৰ মুখ্যভাৱ, দাস্যভাৱ। চৈতন্যই যদিও দাস্যভাৱৰ প্ৰতি lipdeep loyalty মুখৰ শ্ৰদ্ধা প্ৰকাশ কৰিছিল, তথাপি তেওঁ তাক কাতিকৈ থৈ শৃঙ্গাৰ ৰসতহে আশ্ৰয় লৈছিল। ফলত তেওঁৰ সম্প্ৰদায়ৰ শিষ্য-প্ৰশিষ্যসকলৰ ভিতৰৰ সৰহ ভাগৰ অচিৰতে সুনীতিৰ অৱনতি আৰু অতি ভয়ানকৰূপে ৰায়ানন্দৰায়ৰ পৰা চৈতন্যই শিক্ষা পাইছিল—

"ৰাধা কৃষ্ণৰ লীলা এই অতি গূঢ়তৰ।
দাস্য-বাৎসল্য ভাবেৰ নাহয় গোচৰ॥
সবে এক সখীগণেৰ ইহা অধিকাৰ।
সখী হৈতে হয় এই লীলাৰ বিস্তাৰ॥
সখী বিনু এই লীলা পুষ্টি নাহি হয়।
সখী লীলা বিস্তাৰিয়া সখী আস্বাদয়॥
সখী বিনু এই লীলায় নাহি অন্যেগতি॥
সখী ভাবে তাহা যেই কৰে অনুগতি॥
ৰাধাকৃষ্ণ সেৱাসাধ্য সেই জন পায়।
সেই সাধ্য পাইতে আৰ নাহিক উপায়॥"

সখীৰ স্বভাৱ হৈছে অৰ্থাৎ ৰাধাৰ বাহিৰে ৰাসত যোগ দিয়া আনবোৰ গোপীৰ স্বভাৱ হৈছে—

"সখীৰ স্বভাৱ এক অকথ্য কথন।
কৃষ্ণ সহ নিজ লীলায নাহি সখীৰ মন॥
কৃষ্ণ সহ ৰাধিকাৰ লীলা যে কৰায়।
নিজকেলি হৈতে তাতে কোটি সুখ পায়॥
ৰাধাৰ স্বৰূপ কৃষ্ণ প্ৰেমকল্প লতা।
সখীগণ হয় তাৰ পল্লৱ পুষ্প পাতা॥
কৃষ্ণলীলা মতে যদি লতাকে সিঞ্চয়।
নিজ সুখ হৈতে পল্লবাদ্যেৰ কোটি সুখ হয়॥"
"যদ্যপি সখীৰ কৃষ্ণসঙ্গমে নাহি মন।
তথাপি ৰাধিকা (কে) যত্নে কৰায় সঙ্গম॥
নানা ছলে কৃষ্ণে প্ৰেৰি সঙ্গম কৰায়।
আত্মসুখ সঙ্গ হইতে কোটি সুখ পায়॥
অন্যান্য বিশুদ্ধ প্ৰেমে কৰে ৰস পুষ্ট।
তাসভাৰ প্ৰেম দেখি কৃষ্ণ হয় তুষ্ট।"—চৈ,চ

এইবোৰ শ্ৰীমদ্ভাগৱতৰ conception অৰ বাহিৰা আৰু বিৰোধী কথা। চৈতন্যদেৱৰ বৈষ্ণৱ ধৰ্ম্মৰ শাহ এয়ে। এই শিক্ষা এই মতেৰে সৈতে শ্ৰীশঙ্কৰ-দেৱৰ শ্ৰৱণ-কীৰ্ত্তন ভক্তি-ধৰ্ম্মৰ স্বৰ্গ-মৰ্ত্ত্য প্ৰভেদ। কাজেই চৈতন্যীয়াসকলে শ্ৰীশঙ্কৰদেৱক অবৈষ্ণৱ আৰু তেওঁৰ প্ৰচাৰিত মহাপুৰুষীয়া ধৰ্ম্মক অবৈষ্ণৱৰ ধৰ্ম্ম, নাস্তিকৰ ধৰ্ম্ম নুবুলিব কিয়?

নিমাইচান্দে তেওঁৰ কিতাপত কৈছে—

"ইহাৰ (শঙ্কৰদেৱেৰ) মতে বসুদেৱনন্দন দ্বিভুজ কৃষ্ণ অৰ্চ্চন-বিগ্ৰহ, বৈকুণ্ঠগত শঙ্খ-চক্ৰ-গদা পদ্মধাৰী চতুৰ্ভুজ নাৰায়ণ ধ্যেয় বিগ্ৰহ ও নিৰ্বিশেষ

পৰম ব্ৰহ্ম প্ৰাপ্তি বা সাযুজ্য মুক্তি জীৱৰ চৰম লক্ষ্য। ইনি শ্ৰীভগবানেৰ বিগ্ৰহ স্বীকাৰ কৰেন না। ইহাৰ মতে শ্ৰীভগবান ভক্তেৰ জন্য মাত্ৰ ৰূপ গ্ৰহণ কৰেন এবং এই সমস্ত ৰূপ মায়িক ও অনিত্য।"

ওপৰৰ পৰম্পৰবিৰোধী কথাবোৰৰ আলোচনা আমি আগেয়ে কৰি আহিছোঁ। এতেকে আৰু সৰহকৈ কৈ সময় নষ্ট নকৰোঁ। মূঠতে আমি নিমাইচান্দক এৰি থওঁ, আশাকৰো তেওঁৰ "আপুনি বয়স হইলে বুদ্ধি হৈব ভাল। তেওঁ তেওঁৰ 'দল-বলেৰে' সৈতে চৈতন্যৰ পদাঙ্ক অনুসৰণ কৰি জয়দেৱ বিদ্যাপতি, ৰূপ সনাতন আৰু ৰামানন্দ ৰায়ৰ কবিতাত ঘুৰি থাকক, আমাৰ একো কৰলৈ নাই। যাখোন কওঁ যে তুমিতো মহাপুৰুষীয়া ধৰ্ম্ম এৰিছা, এতেকে যাক ধৰিছা তাতে লাগি থাকা; শঙ্কৰদেৱৰ ধৰ্ম্ম লৈ তুমি মূৰ নঘমাবা। তুমি অলপ পানীৰ মাছ। গণ্ডুষ জলত ফৰফৰোৱা সফৰী। আমাৰ বৈকুণ্ঠৰ নাৰায়ণ অথবা বিষ্ণু অথবা কৃষ্ণই আটিৰ। তেৱেঁই আমাৰ পূৰ্ণানন্দ, নিজানন্দ সুখী, আত্মাৰাম, পূৰ্ণকাম, ভক্ত-বৎসল সচ্চিদানন্দ বিগ্ৰহ, সচ্চিদানন্দ নন্দৰ নন্দন, বৃন্দাবনচন্দ্ৰ, অৰ্জ্জুনৰ ৰথৰ সাৰথি, উদ্ধৱৰ বন্ধু শ্ৰীকৃষ্ণ। আমাৰ বৈকুণ্ঠই তোমাৰ গোলোক। তোমাৰ মতে যদি বৈকুণ্ঠ অনিত্য, মায়িক ইত্যাদি ইত্যাদি তেন্তে তুমি শ্ৰীমদ্ভাগৱতৰ বাহিৰৰ পিছৰ কল্পনাপ্ৰসূত কাব্যকুঞ্জ শ্ৰীৰূপ গোস্বামীৰ কড়চাত বৰ্ণোৱা সেই গোলোকলৈকে যোৱা, আমি আপত্তি নকৰোঁ।—

"মায়াতীতে ব্যাপি-বৈকুণ্ঠলোকে,
পূৰ্ণৈশ্বৰ্য্যে শ্ৰীচতুৰ্ব্যুহমধ্যে
ৰূপং যস্যোদ্ভাতি সঙ্কৰ্ষণাখ্যং,
তং শ্ৰীনিত্যানন্দৰামং প্ৰপদ্যে ॥"

—ৰূপ গোস্বামী

"প্ৰকৃতিৰ পাৰ পৰ ব্যোম নামে ধাম।
কৃষ্ণ বিগ্ৰহ যৈছে বিভূত্বাদি গুণবান ॥
সৰ্ব্বগ অনন্ত ব্ৰহ্ম বৈকুণ্ঠাদি ধাম।
কৃষ্ণ কৃষ্ণ অৱতাৰে তাহাঞি বিশ্ৰাম ॥
তাহাৰ উপৰিভাগে কৃষ্ণলোক খ্যাতি।
দ্বাৰকা মথুৰা গোকুল ত্ৰিবিধত্বে স্থিতি ॥
সৰ্ব্বোপৰি শ্ৰীগোকুল ব্ৰজলোক ধাম।
শ্ৰীগোলোক শ্বেতদ্বীপ বৃন্দাবন নাম ॥
সৰ্ব্বগ অনন্ত বিভু কৃষ্ণতনু সম।
উপৰ্য্যধো ব্যাপি আছে নাহিক নিয়ম ॥
ব্ৰহ্মাণ্ডে প্ৰকাশ তাৰ কৃষ্ণেৰ ইচ্ছায়।
একই স্বৰূপ তাৰ নাহি দুই কায় ॥
পৰব্যোম মধ্যে কৰি স্বৰূপ প্ৰকাশ।
নাৰায়ণ ৰূপে কৰে বিবিধ বিলাস ॥
স্বৰূপ বিগ্ৰহ কৃষ্ণেৰ কেবল দ্বিভুজ।
নাৰায়ণ ৰূপে সেই তনু চতুৰ্ভুজ ॥
শঙ্খ চক্ৰ গদা পদ্ম মহৈশ্বৰ্য্যময়।
শ্ৰীভূ লীলা শক্তি যাৰ চৰণ সেৱয় ॥
যদ্যপি কেবল তাৰ ক্ৰীড়া মাত্ৰ ধৰ্ম্ম।
তথাপি জীৱেৰ কৃপায় কৰে এত কৰ্ম্ম ॥—চৈ,চ

আমাৰো কৃষ্ণ এই জনেই, যিজন চতুৰ্ভুজ শঙ্খ চক্ৰধাৰী, দ্বিভুজ মুৰুলীধাৰী "একই স্বৰূপ যাৰ নাই দুই কায়।" আমাৰ বৈকুণ্ঠত সেই পৰব্যোম নামে ধাম যি ধাম সৰ্ব্বোপৰি। আমাৰ কৃষ্ণও সেই যাৰ "ৰোম বিৱৰসহ কোটি কোটি অণ্ড তাণ্ডৱ কৰ সম ৰেণুং" আৰু "সহস্ৰ বদনে যাৰ নপাৱন্ত সীমা" আৰু যি

"চোৰা মুখ বুলি মাৰক মাতি।
বাইলন্ত বেক্ত প্ৰকাশিয়া আতি ॥।
যশোদা সুন্দৰী দেখন্ত পাছে।
সমস্ত জগত গৰ্ভতে আছে ॥
সাতোখান দ্বীপ সাতো সাগৰ।
গিৰি বন নদী গ্ৰাম নগৰ ॥
বায়ু সূৰ্য্য শশী দিশ আকাশ।
তাৰাগণ তৈতে কৰে প্ৰকাশ ॥
সমস্ত জীৱ জ্যোতিস্তেজ জল।
সত্ত্ব-ৰজ-তম ইন্দ্ৰিয় বল ॥
মন বুদ্ধি কাল কৰ্ম্ম যতেক।
সবাকো গৰ্ভতে দেখে প্ৰত্যেক ॥
যতেক ধেনু গোপ গোপীজাক।
যশোদা দেখে তৈতে আপোনাক ॥"—কীৰ্ত্তন

আমাৰ বৃন্দাবন যত ব্ৰহ্মাই কৈছিল—

"বৃন্দাবনে তৃণ হৈবো তেবে মহাভাগ।
পাইবো ব্ৰজবাসীৰ চৰণ-ৰেণু লাগ ॥"

যলৈ উদ্ধৱ গৈ কৈছিল—

"উদ্ধৱে গোপীৰ দেখিলা ভাৱ।
বিস্ময় হুয়া শিহৰাইলা গাৱ ॥
নন্দৰ ব্ৰজে যত গোপীজাক।
শিৰে বন্দো তান পদধূলাক ॥"—কীৰ্ত্তন

কৃষ্ণ পৃথিৱীত থকা কালৰ আগৰ এই বৃন্দাবনৰ হাড়-জকা আজিকালিৰ বৃন্দাবনলৈ ইষ্ট ইণ্ডিয়া ৰেলেদি আজিকালি যাব পাৰি আৰু ইয়ালৈকে চৈতন্যদেৱ গৈছিল, শ্ৰীশঙ্কৰদেৱ গৈছিল। শঙ্কৰদেৱৰ ভাগৱতৰ বৃন্দাবনৰ লীলা বৰ্ণনাতে সন্তুষ্ট আছিল। তেওঁৰ শিষ্য প্ৰশিষ্য আমিও আছোঁ। নিমাইচান্দৰ দলে ভাগৱতত বৰ্ণিত আৰু শ্ৰীশঙ্কৰদেৱে বৰ্ণনা

কৰা ক্ষুদ্ৰ বৈকুণ্ঠখন ডেই গোলোকত উঠকগৈ, আমাৰ আপত্তি নাই। আমি মহাপুৰুষীয়া ক্ষুদ্ৰ প্ৰাণীক কিন্তু সেই বৈকুণ্ঠই এই যাত্ৰাতে জুৰিব। শ্ৰীশঙ্কৰ-দেৱে আমাক তেওঁৰ কীৰ্ত্তন-ঘোষাৰ প্ৰথম শাৰীতে কৈ দিছে—

প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ ॥

আমি সেই নাৰায়ণ ব্ৰহ্মৰূপী সনাতনকে গুৰুবাক্য মানি ধৰি থাকিম, কাৰণ তেৱেঁই "প্ৰশান্ত-পুৰুষ আনন্দময়। "সদানন্দ, চিদানন্দ, পৰম পুৰুষ পৰমানন্দ, গোপিনীৰ ধন, ব্ৰহ্মৰ জীৱন, ভকতৰ প্ৰভু আৰু ভক্তবৎসল শ্ৰীকৃষ্ণ।" আৰু শ্ৰীশঙ্কৰৰ কীৰ্ত্তন ঘোষাৰ শেষ কথা—

"কৃষ্ণৰ কিঙ্কৰে শঙ্কৰে ভণে।
বোলা হৰি হৰি সমস্ত জনে ॥"

আমি পোনপটিৰ মানুহ দেখি আমাৰ শ্ৰীশঙ্কৰ-দেৱে পোনপটিৰ এই শিক্ষা দি তৰিবৰ উপায় কৈ দিছে। আমি মূৰ দোঁৱাই তেওঁৰ বাক্য শিৰোধাৰ্য্য কৰি ঈশ্বৰৰ দুখানি চৰণত শৰণ ললোঁ। আমাক চিত্ৰ-বিচিত্ৰ মৰা-পথীয়া শিক্ষা, কিংবাপ গোমচেঙৰ বনকৰা উপদেশ নালাগে, কাৰণ আমি পালিব নোৱাৰিম, আনাৰ চকুত জলক-টবক লাগিব, আমি হোজা মানুহ।

ভগৱন্তই যে ভক্তক অনুগ্ৰহ কৰিবৰ নিমিত্তে ৰূপ ধাৰণ কৰে, সেইটো অকল শঙ্কৰদেৱৰে মত নহয়, গীতা-ভাগৱতৰো মত। সেইবোৰ শ্লোক আমি আগেযে তুলি দিছোঁ। মহাভাৰতৰ বনপৰ্ব্বত আছে—

"প্ৰবিষ্টে মানুষং দেহং সৰ্ব্বপ্ৰশময়ামাহম্।"

বেদান্তৰ শাৰিৰক ভাষ্যত আছে—

"পৰমেশ্বৰস্যাপীচ্ছ ৰশান্মাময়ং ৰূপং সাধকানু-গ্ৰহাৰ্থং।" অৱশ্যে শঙ্কৰৰ ভাষ্যৰ কথা তেওঁলোকৰ মতে প্ৰচ্ছন্ন বৌদ্ধবাদ বা নাস্তিকবাদ।

"যদযদ্ধিয়াত উৰুগায় বিভাবযন্তি।
তত্তদ্বপুঃ প্ৰণয়সে সদনুগ্ৰহায়।"—ভাগৱত ৩।৯।১১

অৰ্থাৎ ব্ৰহ্মাই কৈছে—হে নাথ! তোমাৰ কৰুণাৰ কথা আৰু কি কম, তোমাৰ ভক্তসকলে মনেৰে তোমাৰ যি মূৰ্ত্তি কল্পনা কৰি ধ্যান কৰে, তুমি তেওঁলোকৰ প্ৰতি অনুগ্ৰহ দেখুৱাই স্বয়ং তেনে-কুৱাকৈয়ে প্ৰকাশ হোৱা।

"ভক্তৰ ইচ্ছায় কৃষ্ণৰ সৰ্ব্ব অৱতাৰ।"
—চৈ, চৰিতামৃত

"যে যথা মাং প্ৰপদ্যন্তে তাংস্তথৈব ভজাম্যহং।"
"মম বৰ্ত্মানুবৰ্ত্তন্তে মনুষ্যাঃ পাৰ্থ সৰ্ব্বশঃ —গীতা

অৰ্থাৎ যি বিভাৱে মোক আৰাধনা কৰে, মই তাৰ প্ৰতি সেইভাবেই অনুগ্ৰহ প্ৰদৰ্শন কৰোঁ। হে পাৰ্থ। সকলো মানুহ মৎপ্ৰদৰ্শিত পথৰেই অনুগামী। শঙ্কৰদেৱ মাধৱদেৱে ভাগৱতৰ মত অনুসৰণ কৰি কত ঠাইত কৈছে তাৰ সীমা নাই যে কৃষ্ণ পূৰ্ণব্ৰহ্ম অৱতাৰ, অংশ অৱতাৰ নহয়, যি পূৰ্ণব্ৰহ্মই "সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।"

"আন কাল হোন্ত আসি অংশ অৱতাৰ।
আসিলন্ত পূৰ্ণব্ৰহ্ম আপুনি ইবাৰ ॥"

"এতে চাংশকলাঃ পুংসঃ কৃষ্ণস্তু ভগবান স্বয়ম্।
ইন্দ্ৰাৰিব্যাকুলং লোকং মৃড়যন্তি যুগে যুগে ॥"
—শ্ৰীমদ্ভাগৱত ১।৩।২৮

"ক্বাহং তমোমহদহং খচৰাগ্নি বাৰ্ভূ
সংবেষ্টিতাণ্ডঘট সপ্তবিতস্তি কায়ঃ
ক্বেদৃগ্বিধাবিগণিতাণ্ডপৰানুচৰ্য্যা
বাতাধ্বৰোমবিবৰস্য চতে মহিত্বম্।
—শ্ৰীমদ্ভাগৱত ১০।১৪।১১

ব্ৰহ্মাই শ্ৰীকৃষ্ণক কৈছিল, হে ভগৱন্ত! প্ৰকৃতি, মহতত্ত্ব, অহঙ্কাৰ, আকাশ, বায়ু, অগ্নি, জল আৰু ক্ষিতি প্ৰভৃতিৰ দ্বাৰাই সংবেষ্টিত ব্ৰহ্মাণ্ডত সপ্তবিতস্তি পৰিমিত দেহধাৰী মৰেই বা কত, আৰু অখিল ব্ৰহ্মাণ্ডৰূপ পৰমাণুৰ গমনাগমনৰ বাতায়ন স্বৰূপ যাৰ ৰোমবিবৰ সেই তোমাৰ মহিমাই বা কত?

"নাহি আদি অন্ত পূৰ্ব্বাপৰ।
পূৰ্ণব্ৰহ্ম জগত ঈশ্বৰ ॥
তাহাঙ্ক তনয় মানি বলে।
যশোদা বান্ধন্ত উড়ুখলে ॥"
"জগতৰ আপুনি ঈশ্বৰ।
তুমি বশ্য ভৈলা ভকতৰ ॥"
"এহি শৰীৰতে আছে যতেক মহিমা।
মনেও কৰিবে পাৰে কোনে তাৰ সীমা ॥

*

মায়াদিৰো ঈশ তুমি অনাদি অনন্ত।"
"যিটো পদ ৰজ ভকতে পাই।
এড়ি সাৰ্ব্বভৌম পদতো দাই ॥
স্বৰ্গ ধ্ৰুৱপদ নকৰে বাঞ্ছা।
নকৰন্ত যোগ সিদ্ধিকো ইচ্ছা ॥
মোক্ষতো অভিলাষ নাহি হৰি।
তোমাৰ চৰণ ৰেণুক এৰি ॥"—কীৰ্ত্তন ঘোষা

"বৈষ্ণৱ ও বিষ্ণুপূজক" কিতাপ লেখোতাই কয়" "সমস্ত গ্ৰন্থেই (অৰ্থাৎ শঙ্কৰ মাধৱৰ) সাযুজ্য

মুক্তিকেই জীৱেৰ প্ৰয়োজন ৰূপ উল্লিখিত হইয়াছে।" আমি ইয়াকে মাথোন কওঁ যে এই পল্লৱগ্ৰাহীয়ে এই মহাপুৰুষৰ গ্ৰন্থৰ সাৰ-বস্তুৰ গোন্ধকে নেপালে।

চৈতন্যৰ দিনৰে পৰা সাযুজ্য মুক্তিক এটা ভয়ানক পদাৰ্থ বুলি যে ইয়ানকৈ চৈতন্যীয়াই চিয়ঁৰিব লাগিছে, পদাৰ্থটোনো কি, চোৱা যাওক।

মুক্তি পাঁচ বিধ। "সালোক্য সাৰ্ষ্টি সাৰূপ্য সামীপ্যৈকত্বমপ্যুত।" সালোক্য মানে কৃষ্ণৰে সৈতে একে লোকত অৱস্থিতি, যেনে বৈকুণ্ঠত। সাৰ্ষ্টি মানে কৃষ্ণৰে সৈতে সমান ঐশ্বৰ্য্য, অৰ্থাৎ একে প্ৰকাৰৰ গুণ লাভ অৰ্থাৎ কৃষ্ণৰে নিচিনাকৈ ষড়ৈশ্বৰ্য্য শালী। সাৰূপ্য মানে কৃষ্ণৰে সৈতে সমান ৰূপ। সামীপ্য মানে কৃষ্ণৰ সমীপত অৱস্থিতি। কৃষ্ণৰ সমীপত অৰ্থাৎ ওচৰত, অৰ্থাৎ কৃষ্ণৰ আৰু সেই মুক্ত পুৰুষজনৰ ভিতৰত ব্যৱধানশূন্য; ব্যৱধান থাকিলে Strictly সামীপ্য হব নোৱাৰে। পঞ্চমটো মুক্তি এই চাৰিবিধ মুক্তিৰ Logical Seduence সাযুজ্য বা একত্ব নহয় নে? যদি কোনো এজন মানুহ কৃষ্ণৰে সৈতে একে ঠাইতে থাকিল আৰু দেখিবলৈ কৃষ্ণৰ নিচিনাই হল আৰু কৃষ্ণৰে সৈতে সমান গুণৰ হল, তেন্তে সেই মানুহজনৰ আৰু কৃষ্ণৰ ভিতৰত প্ৰভেদ কি থাকিল? যদি দুটা বস্তুৰ ভিতৰত কোনো ভেদ নাথাকে, তেন্তে দুইটা একে নহল জানো? এই একত্বই চৈতন্যৰ ভীষণ সাযুজ্য। যদি দুটোপা পানী আকৃতি, প্ৰকৃতি গতি-গতি আৰু অৱস্থিতিত একেবাৰেই একে, অভেদ বা নিৰ্ব্বিশেষ, তেন্তে সেই শব্দটো লৈ ইয়ানকৈ আন্দালন কৰিবৰ আৱশ্যক কি? যদি ঈশ্বৰ এজন হল আৰু তেৱেঁই নিখিল বিশ্বব্ৰহ্মাণ্ড তেন্তে কথাৰ আৰু আসোঁৱাহ থাকিল কত?

"অহমেবাসমেবাগ্ৰে নান্যৎ যৎ সদসৎ পৰম্
পশ্চাদহং যদেতচ্চ যোহৱশিষ্যেত সোহস্ম্যহম্ ?

—শ্ৰীমদ্ভাগৱত

অৰ্থাৎ কৃষ্ণই কৈছে, হে ব্ৰহ্মা! সৃষ্টিৰ পূৰ্ব্বত ময়েই আছিলোঁ। এই যে স্থূল সূক্ষ্ম—কাৰ্য্যকাৰণাত্মক বিহকে দেখিবলৈ পাইছা, তেতিয়া এইবেৰ একো নাছিল। এতিয়া যি আছে, আৰু ভবিষ্যৎ যি থাকিব সেই আটাইবোৰ ময়েই।

গীতাত শ্ৰীকৃষ্ণই কৈছে—

"অথবা বহুনৈতেন কিং জ্ঞাতেন ধনঞ্জয়।
বিষ্টভ্যাহমিদং কৃৎস্নমেকাংশেন স্থিতো জগৎ॥"

অৰ্থাৎ হে ধনঞ্জয়! অথবা এইবোৰ বহুত বিষয় জানিবৰে বা তোমাৰ সকাম কি? সংক্ষেপতে এইটোকে জানিবা যে মই এক অংশেৰে এই সমস্ত জগৎ জুৰি আছোঁ। বেদ, বেদান্ত, স্মৃতি, ভাগৱত, গীতা, পুৰাণ সকলোৱে এই কথাকে কৈছে।

"হে কৃষ্ণ! তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়ায়ে কল্পিত॥" —ঘোষা

গীতাত ভগৱন্তই কৈছে—

"ভক্ত্যামামভিজানাতি যাবানযশ্চামি তত্ত্বতঃ
ততো মাং তত্ত্বতো জ্ঞাত্বা বিশতে তদনন্তৰং॥

মহাপুৰুষৰ ভাওনি—

মাধৱে কহন্ত অৰ্জ্জুনত শুনা ইটো পৰমাৰ্থ তত্ত্ব
ভকতেসে মোৰ মহিমা জানে নিঃশেষ।
তত্ত্বৰূপে সখি জানি মোক তৰিবা দুৰ্ঘোৰ দুঃখশোক
অন্তকালে গৈয়া আমাতে হোৱে প্ৰবেশ॥
—ঘোষা

এতিয়া দেখোন শ্ৰীকৃষ্ণই কলে যে ভক্ত অন্তকালত গৈ মোত প্ৰবেশ কৰে। কি ভয়ঙ্কৰ কথা। গীতা দেখিছোঁ নিৰ্ব্বিশেষবাদী। গীতাই দেখোন চৈতন্যীয়াৰ মাজমূৰতে টাঙোন মাৰিলে।

শ্ৰীশঙ্কৰদেৱে তেওঁৰ কীৰ্ত্তন ঘোষাত নাম ললে কি সাতোটা কাৰ্য্য সিদ্ধি হয় তাক এইদৰে কৈছে—

"পৰম বান্ধৱ হৰিৰ নাম।
যি জনে আক লৱে অবিশ্ৰাম॥
তাৰ সাত কাৰ্য্য সাধিবা দেখা।
প্ৰতি প্ৰতি লোৱা সান্তৰো লেখা॥

(১) প্ৰথমে দহিবে পাতক চয়।
(২) কৰিবে মহাপুণ্য অভ্যুদয়॥
(৩) কৰাৱে বিষয়ত বিৰকতি।
(৪) কৃষ্ণত বাঢ়িবে প্ৰেম-ভকতি॥
(৫) ওপজাইবে অতি বৈষ্ণৱী জ্ঞান।
(৬) মায়াক কৰিবে দহি নিৰ্ব্বাণ॥
(৭) চৈতন্য মূৰ্ত্তি পূৰ্ণানন্দ হৰি।
থৈবেক তেন্তে এবে একে কৰি॥

কেনেকৈ একে কৰি থৰ? যেনেকৈ ৰাধাকে কৃষ্ণকে একে কৰি থৈছে। যেনেকৈ চৈতন্যদেৱক ৰাধা আৰু কৃষ্ণৰে সৈতে একে কৰি থৈছিল। একে কৰি থোৱা মানে আত্মবিলোপ নহয়। শঙ্কৰদেৱৰ লীন মুক্তি মানেও আত্মবিলোপ নহয়। বুদ্ধদেৱৰ নিৰ্ব্বাণ মানেও আত্মবিলোপ নহয়। এই দুটা শব্দৰ প্ৰকৃত তত্ত্ব নুবুজি মানুহে আন অৰ্থ কৰে। মাকৰ গৰ্ভত প্ৰবিষ্ট সন্তানৰ বা জীৱৰ আত্মবিলোপ

লবটে, যদিও সি মাকতে লীন। ঈশ্বৰৰ উদৰতে জগত চৰাচৰ আছে, আৰু তেওঁতেই লীন হৈ আছে।

"তোমাৰ কুক্ষিতে আমি আছোঁ চৰাচৰ"
—কীৰ্ত্তন

কিন্তু আমাৰ আকাঙক্ষা—

"তোমাৰ ভক্তৰ মাজে হয়া একজন।
সেৱা কৰি থাকোঁ প্ৰভু। তোমাৰ চৰণ ॥"
—কীৰ্ত্তন ঘোষা

সেইদেখি কওঁ যে কিছুমান অসাৰ্থক কথাকে চোবাই চুলি ছিৰাছিৰ কৰি চৈতন্যীয়াসকলে লোকক অবৈজ্ঞ বুলি ডাংকোপ মাৰি থাকিবৰ সাৰ্থকতা কি? অৱশ্যে একান্ত ভক্তই বিচাৰে যে তেওঁ কৃষ্ণৰ কাষত স্বকীয়া হৈ ৰহি সদায় কৃষ্ণৰ দাস হৈ সেৱা কৰি থাকে; আৰু ভক্তবৎসল ভগৱন্তইও ভক্তৰ মনোবাঞ্ছা পূৰণ কৰি ভক্তক সুখী কৰে। কিন্তু শেহত আচলতে কি হয়? কৃষ্ণৰে সৈতে সমধৰ্ম্মী সমগুণাত্মক সেই ভক্তবস্তু কৃষ্ণত প্ৰবেশ নকৰি কত কৰিব? ভক্তই দাসভাৱে সেৱা কৰি থাকোতেও কৃষ্ণত "অগনিত যেন ঘৃত" প্ৰবেশ কৰি আছেই; তেহেলৈ ভক্তই যিহকে ভাবক। চৈতন্যই জানো ৰাধাত লীন হৈ ৰাধাভাবাপন্ন হৈ নিজৰ অস্তিত্ব হেৰুৱা নাছিল? যদিহে হেৰুৱা নাছিল, তেন্তে তেওঁ ষোল অনা ৰাধাভাবাপন্ন হৈ কৃষ্ণমধু পান কৰিব নোৱাৰিছিল। কথা কলেই বাঢ়ি যায়; আৰু কিমান কম।

দ্বৈতবাদ, মায়াবাদ, নিৰ্ব্বিশেষবাদ বুলি চিঞৰিলে কি হব? সকলো বাদেই সঁচা। সকলো বিৰুদ্ধ বাদৰে সমন্বয় হয় ঈশ্বৰত। চৈতন্যইতো নিজেই "অচিন্ত্য ভেদাভেদবাদ" প্ৰচাৰ কৰিছিল। এইবোৰ Contradictory terms অৰ্থাৎ পৰস্পৰ-বিৰুদ্ধ ভাবৰ কথা নহয় জানো? উপনিষদত, গীতাত, ভাগৱতত সেইদেখি ঈশ্বৰৰ বা পৰম ব্ৰহ্মৰ বিষয়ে কৈছে—

"যতো বাচো নিবৰ্ত্তন্তে অপ্ৰাপ্য মনসা সহ।"
"সৰ্ব্বেন্দ্ৰিয়গুণাভাসং সৰ্ব্বেন্দ্ৰিয় বিবৰ্জ্জিতম।
সৰ্ব্বস্য প্ৰভুমীশানং সৰ্ব্বস্য শৰণং বৃহৎ ॥"
—শ্বেতাশ্বতৰ

"অস্থূলমনণু অহ্ৰস্বমদীৰ্ঘম্।"—বৃহদাৰণ্যক
"অশব্দমস্পৰ্শমৰূপমব্যয়ম্।"—কঠ
"তদেতৎ ব্ৰহ্ম অপূৰ্ব্বম্ অনপৰম্ অনন্তৰমবাহ্যম্"
—বৃহদাৰণ্যক

"শুক্ৰমকায়মব্ৰণমস্নাবিৰং শুদ্ধম্ অপাপবিদ্ধম্"
—ঈশোপনিষদ

"নিষ্কলং নিষ্ক্ৰিয়ং শান্তং নিৰবদ্যং নিৰঞ্জনম্।"

এই দেখি যোগবাশিষ্ঠত কৈছে যে "তেওঁত সমস্ত বস্তুৰ চিৰসমন্বয়। দেশ, কাল, নিমিত্ত; যেতিয়া তেওঁৰ ভিতৰতে আছে, তেতিয়া তেওঁ দ্বৈতই বা কি অদ্বৈতই বা কি?"

ঈশোপনিষদত কৈছে—

"যস্মিন্ সৰ্ব্বানি ভূতানি আত্মৈবাভূদ্বিজানতঃ।
তত্ৰকো মোহঃ কঃ শোক একত্বমনুপশ্যতে।"

অৰ্থাৎ জ্ঞানী ভক্তৰ দৃষ্টিত যেতিয়া সকলো পদাৰ্থ আত্মময় হৈ যায়, তেতিয়া সেই একত্বদৰ্শীৰ পক্ষে শোক, মোহৰ অৱসৰ নাথাকে, কাৰণ

"যদা হ্যেবৈষ এতস্মিন্নুদৰমন্তৰং কুৰুতে।
অথ তস্য ভয়ং ভৱতি ॥" —তৈত্তিৰীয়

অৰ্থাৎ দ্বৈতৰ পৰাই ভয়ৰ উৎপত্তি হয়। যেতিয়ালৈকে অনুমাত্ৰকো ভেদ সৃষ্টি থাকে, তেতিয়ালৈকে ভয় দূৰ নহয়। কিন্তু ভেদবুদ্ধি তিৰোহিত হলেই সকলো ভয়, ভাবনা, শোক, মোহ আঁতৰ হয়।

"মত্তঃ পৰতৰং কিঞ্চিন্নান্যদস্তি ধনঞ্জয়"—গীতা

"নাৰায়ণে ভগৱতি তদিদং বিশ্বমাহিতম্।
গৃহীত মায়োৰুগুণঃ সৰ্গাদাবগুণঃ স্বতঃ ॥"
—ভাগৱত

অৰ্থাৎ এই জগত ভগৱন্ত নাৰায়ণত নিহিত আছে। তেওঁ স্বভাৱতে নিৰ্গুণ, কিন্তু সৃষ্টিৰ প্ৰাৰম্ভতে মায়া-উপাধি অঙ্গীকাৰ কৰি সগুণ হয়।

"মায়িনন্তু মহেশ্বৰং"—শ্বেতাশ্বতৰ
অৰ্থাৎ যস্তুৰ্ণনাভ ইব তন্তুভিঃ প্ৰধানজৈঃ
স্বভাৱতো দেব একঃ স্বমাবৃণোৎ ॥"

যেনেকৈ মকৰাই জাল গুথি নিজকে আবৃত কৰে, সেইদৰে স্বভাৱতে অদ্বিতীয় ব্ৰহ্মই প্ৰধানজ জালত নিজক আবৃত কৰিলে।

আচল কথা, ব্ৰহ্মৰ দুটা aspect অৰ্থাৎ বিভাব বা লক্ষণ। যি ব্ৰহ্মৰ ভাৱ লক্ষণৰ বা চিহ্নৰ বা বিশেষণৰ অতীত তাকেই পৰব্ৰহ্ম বোলে। এই নিৰ্ব্বিশেষ, নিৰ্ব্বিকল্প, নিৰুপাধি, নিৰ্গুণ, পৰব্ৰহ্মই যেতিয়া মায়া-উপাধি অঙ্গীকাৰ কৰি, নিজক সেই মায়াৰে সঙ্কুচিত কৰে, তেতিয়া তেওঁ সবিকল্প সগুণ হয়। তেতিয়া চিদাকাশ অসীমত চিন্মাত্ৰৰ উদয় হয়। অৰ্থাৎ জানিবা অখণ্ড মণ্ডলাকাৰ বৃত্তৰ ভিতৰত কেন্দ্ৰ-বিন্দুৰ আবিৰ্ভাৱ হয়। ব্ৰহ্মৰ এই বিভাবক সগুণব্ৰহ্ম বা মহেশ্বৰ বোলা হয়। ভাগৱতত ইয়াৰে উল্লেখ কৰিছে—

"নাৰায়ণে ভগৱতি তদিদং বিশ্বমাহিতম্ ।
গৃহীতমায়োৰুগুণঃ সৰ্গাদাৱগুণঃ স্বতঃ ॥"
(২।৬।২৯)

ব্ৰহ্মৰ নিৰ্গুণ বিভাৱটো নিবাত নিষ্কম্প অনন্ত সমুদ্ৰৰ নিচিনা। আৰু সগুণ বিভাৱটো চৌৰে বিক্ষুব্ধ সেই সমুদ্ৰৰে অৱস্থা। একেখন সাগৰেই কেতিয়াবা প্ৰশান্ত আৰু কেতিয়াবা তৰঙ্গায়িত; অৰ্থাৎ একে ব্ৰহ্মই কেতিয়াবা নিৰ্গুণ আৰু কেতিয়াবা সগুণ। নিৰ্গুণ ব্ৰহ্ম নিৰঞ্জন, নিৰাকাৰ আৰু নিৰ্ব্বিশেষ। সগুণ ব্ৰহ্ম বিশেষণেৰে বিশেষিত বা চিহ্নিত। সগুণ ব্ৰহ্মৰ দুটা লক্ষণ,—এটা স্বৰূপ লক্ষণ আৰু আনটো তটস্থ লক্ষণ। স্বৰূপ লক্ষণ বস্তুৰ স্বৰূপ জ্ঞাপক আৰু তটস্থ লক্ষণ বস্তুৰ অস্থায়ী গুণ বিজ্ঞাপক। যেনে—মানুহৰ আহাৰ, নিদ্ৰা, মৃত্যু স্বৰূপ লক্ষণ। গান-বাজনা শুনিবলৈ ভাল পোৱাটো তটস্থ লক্ষণ। "সত্যং জ্ঞানমনন্তং ব্ৰহ্ম" ইত্যাদি শ্ৰুতিৰ বচন ব্ৰহ্মৰ স্বৰূপ লক্ষণ। ব্ৰহ্মসংহিতাত কোৱা "ঈশ্বৰঃ পৰমঃ কৃষ্ণ সচ্চিদানন্দ বিগ্ৰহঃ।" সগুণ ব্ৰহ্মৰ স্বৰূপ লক্ষণ। উপাধি নহলে শক্তিৰ প্ৰকাশ নহয়। মানুহৰ কথা কোৱা শক্তি জিভাৰ সহায়তেহে প্ৰকাশ পায়। পৰব্ৰহ্মত অৰ্থাৎ নিৰ্গুণ ব্ৰহ্মত সৎ চিৎ আৰু আনন্দ শক্তি চিৰকাল আছে; কিন্তু তেওঁ যেতিয়া মায়া উপাধি স্বীকাৰ কৰি ব্যক্ত হয় তেতিয়াই তেওঁ সগুণ ব্ৰহ্ম বা শ্ৰীকৃষ্ণ হয়। তেৱেঁই শ্ৰীশঙ্কৰদেৱৰ বৈকুণ্ঠৰ শ্ৰীকৃষ্ণ। তেৱেঁই শ্ৰীচৈতন্যদেৱৰ গোলোকৰ শ্ৰীকৃষ্ণ, যাৰ বিষয়ে শিৱই এইদৰে কৈছিল—

"কটাক্ষে সৃজন্ত ব্ৰহ্মাণ্ডকো কোটি কোটি।
এগোটা ডিমাৰ মই কদ্ৰ এক গুটি ॥"
—কীৰ্ত্তন, হৰমোহন

"কৃষ্ণ এক দেৱ দুঃখহাৰী কাল মায়াদিৰো অধিকাৰী।"

সেইদেখি তেৱেঁই বিষ্ণু, তেৱেঁই মহেশ্বৰ, তেৱেঁই নাৰায়ণ, তেৱেঁই "সৃষ্টি স্থিতি অন্তকাৰী দেৱ।"

তান্ত বিনে আন নাহি কেৱ।
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ ॥' '—ঘোষা

পৰব্ৰহ্ম যদিও অচিন্ত্য, মন আৰু বচনৰ অতীত, অজ্ঞেয়; সগুণ ব্ৰহ্ম বা মহেশ্বৰ তেনে নহয়, তেওঁ চিন্ত্য, জ্ঞেয়,—অৱশ্যে সাধাৰণ মন-বুদ্ধিৰ গোচৰ নহলেও অধ্যাত্মবুদ্ধিৰ, বিশুদ্ধ মনৰ আৰু যোগ সমাধিৰ বেদ্য: একান্ত ভক্তৰ হৃদয় আৰু মনোৰঞ্জন। তেওঁ ভক্তবৎসল, আৰু ভক্তিৰ প্ৰেমৰ অধীনে বান্ধ খায়; যশোদাৰ অধীনে উৰালত বান্ধ খাই দামোদৰ নাম লৈছিল।

"নাহি আদি অন্ত পূৰ্ব্বাপৰ"
কাৰণ, তেওঁ নিৰ্গুণ পৰব্ৰহ্ম।
"পূৰ্ণব্ৰহ্ম জগত ঈশ্বৰ"
তাহাঙ্ক তনয় মানি বলে,
যশোদা বান্ধন্ত উদুখলে ॥"—কীৰ্ত্তন

শিশু কৃষ্ণই যেতিয়া মাটি খাই যশোদাক নাই 'খোৱা বুলি কৈছিল, যশোদাই কৃষ্ণক মুখ মেলিবলৈ কোৱাত কৃষ্ণই মুখ মেলি দিয়াত সমস্ত জগৎ যশোদাই কৃষ্ণৰ মুখৰ ভিতৰত দেখি তেওঁক ঈশ্বৰ জ্ঞান কৰি স্তুতি কৰিবলৈ ধৰিলত, কৃষ্ণই বৈষ্ণৱী মায়া বিস্তাৰি যশোদাৰ সেই জ্ঞান গুচালে। কৃষ্ণই নিজে—

গুণন্ত হেন ত্ৰিজগতপতি।
বিষ্ণু হেন মোক জানিল সতী।"

সেই বিষ্ণু সেই কৃষ্ণকে শঙ্কৰদেৱে বুলিছে—

"কিনো অতি নন্দ-যশোদাৰ মহাভাগ।
পূৰ্ণব্ৰহ্ম তোমাক গৃহতে পাইল লাগ ॥"

কাৰণ, তেওঁ ভক্তক অনুগ্ৰহ কৰিবৰ নিমিত্তে সগুণ সচ্চিদানন্দ বিগ্ৰহৰূপ গ্ৰহণ কৰিছে। তেওঁ শ্বেতাশ্বতৰ উপনিষদত কোৱাৰ দৰে

"সৰ্ব্বেন্দ্ৰিয় গুণাভাসং সৰ্ব্বেন্দ্ৰিয় বিৱৰ্জ্জিতম্"
অথচ "সৰ্ব্বস্য প্ৰভুমীশানং সৰ্ব্বস্য শৰণং বৃহৎ ॥"

অৰ্থাৎ তেওঁ সকলো ইন্দ্ৰিয় বিবৰ্জ্জিত অথচ সকলো ইন্দ্ৰিয়ৰ গুণযুক্ত; তেওঁ সকলোৰে প্ৰভু, মহেশ্বৰ আৰু সকলোৰে বৃহৎ শৰণ আৰু আশ্ৰয়।

তেৱেঁই—"ঈশাবাস্যমিদং সৰ্ব্বম্" ঈশোপনিষদ—

তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক ॥
—কীৰ্ত্তন

তেৱেঁই শ্বেতাশ্বতৰ উপনিষদত কোৱা—

"তমীশ্বৰাণাং পৰমং মহেশ্বৰং।"
শঙ্কৰদেৱৰ কীৰ্ত্তনত কোৱা
"নমো নমো মাধৱ বিধিৰ বিধাতা
তুমি জগতৰ গতি মতি পিতা মাতা ॥"

তেৱেঁই শ্বেতাশ্বতৰ উপনিষদৰ—

"ৱশী সৰ্ব্বস্য লোকস্য স্থাৱৰস্য চৰস্যচ।

আৰু শঙ্কৰদেৱৰ—

"তুমি পশু পক্ষী সুৰাসুৰ তৰু তৃণ।"
"য ঈশেহস্য দ্বিপদশ্চতুষ্পদঃ।"

তেৱেঁই বৃহদাৰণ্যক উপনিষদৰ—

"সৰ্ব্বস্য ৱশী সৰ্ব্বস্য ঈশানঃ সৰ্ব্বস্যাধিপতিঃ,"

আৰু শঙ্কৰদেৱৰ "বিধিৰ বিধাতা, জগতৰ গতি মতি পিতা মাতা। কাৰ্য্য কাৰণ সমস্ত চৰাচৰ। সুৱৰ্ণ কুণ্ডল যেন নাহিকে অন্তৰ॥"

তেৱেঁই কঠোপনিষদৰ—

"ভয়াদস্যাগ্নিস্তপতি ভয়াৎতপতি সূৰ্য্য:।
ভয়াদ্ ইন্দ্ৰশ্চ বায়ুশ্চ মৃত্যুৰ্ধাৱতি পঞ্চম:॥"

আৰু শঙ্কৰদেৱৰ—

"পলায় জগতৰ মৃত্যু যি প্ৰভুক ডৰে।
যাক ভয়ে চন্দ্ৰ সূৰ্য্য পৱন সঞ্চৰে॥" —কীৰ্ত্তন

দেৱৰো ঈশ্বৰ হৰি তেন্তে মহা মন্ত্ৰ কৰি
লোৱে একশৰণ সাক্ষাত।
যাৰ ইচ্ছা মোক্ষ পাইবে নালাগে দূৰক যাইবে
আছা হৰি সবাৰ হিয়াত॥" —কীৰ্ত্তন

তেৱেঁই—"যিজনে যায় হৰি নাম সেৱি।
পাছত ফুৰে যত দেৱ দেৱী॥
যতেক তীৰ্থ তাক স্তুতি কৰে।
তাৰ বায়ু পাপ সমস্ত হৰে॥
যিটো জনে ফুৰে নাম সুমৰি!
তাৰ পাছে পাছে ভ্ৰমন্ত হৰি।
বৎসক স্নেহে যেন ধেনু ধায়॥"

আৰু— "একজনে যদি নাম উচ্চাৰে।
শুনে মানে পাপ সবাৰো হৰে॥
অনিচ্ছাতে যিটো বিষ্ণুক কহে।
তাহাৰো পাতক সমস্ত দহে॥"

কিন্তু— "প্ৰেমে ভজে যিটো কৃষ্ণৰ পাৱ।
কহিবো তাহাৰ কত প্ৰভাৱ॥"—কীৰ্ত্তন

আৰু সেই জনতেই—

"যতেক দেখা খোজ সমুদায়।
হস্তীৰ খোজত যেন লুকায়॥
এহি মতে যত বিশ্ব সমস্ত।
কৃষ্ণতে জানা সবে যায় অন্ত॥"—কীৰ্ত্তন

আৰু তেওঁৰে সেৱা কৰিবলৈ শ্ৰীশঙ্কৰদেৱে কৈছে—

"মোহ নিদ্ৰা এৰি লোৱা চেতন।
কৃষ্ণৰ সেৱাত কৰা যতন॥"

তেৱেঁই মহাপুৰুষ মাধৱদেৱৰ—

"পৰম পুৰুষ হৰি পৰম কাৰণ প্ৰভু
পৰম ঈশ্বৰ ভগৱন্ত।
সদানন্দ সদাশিৱ সত্য সনাতন হৰি
জয় জয় অচিন্ত্য অনন্ত॥" —ঘোষা

"হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়ায়ে কল্পিত॥" —ঘোষা

তেৱেঁই সাংখ্যৰ—

"প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ॥" —ঘোষা

'বিষ্ণুপূজক' কিতাপৰ বচকে নামাপৰাধৰ কথা কওঁতে কৈছে "নামাপৰাধ নাজানিলে কি প্ৰকাৰে নামের সাধন হয়, ইহা আমাদের বুদ্ধিতে আসেনা।" এই বুলি তেওঁ শঙ্কৰদেৱে বচা কীৰ্ত্তনৰ পৰা নাম অপৰাধৰ পদ খাপ খোৱাকৈ তুলি দিছে।

তাত এটা অপৰাধৰ কথা আছে—

"নাহিকে শ্ৰদ্ধা নপাতয় কাণ।
তাক যিটো দেয় নামক দান॥
নামৰ দ্ৰোহী নাহি তাত পৰে।
ভুঞ্জাইবে যাতনা যম কিঙ্কৰে॥"

আমিও কওঁ যে এই কথা ঠিক। তেন্তে তেওঁৰ চৈতন্যই যাকে তাকে পাত্ৰ অপাত্ৰ নাবাছি নাম বিলাইছিল কিয়? যেনে জগাই মাধাইক। যাকে তাকে—

মাগে বা নামাগে কেহ পাত্ৰ বা অপাত্ৰ।
ইহাৰ বিচাৰ নাহি জানে দিব মাত্ৰ॥
অঞ্জলি অঞ্জলি ভৰি খেলে চতুৰ্দ্দিশে।
দৰিদ্ৰ কুড়ায়ে খাৰ মালাকাৰ হাসে॥"
—চৈ, চৰিতামৃত

"বিষ্ণুপূজক' গ্ৰন্থকাৰে লিখিছে—

"আসামের তথাকথিত বৈষ্ণৱ সম্প্ৰদায় এই মুমুক্ষু বিষ্ণু-পূজকের শ্ৰেণীভুক্ত। ইহারা মহা-পুরুষীয়া, হৰিদেৱী ও দামোদরী নামে অভিহিত। ধৰ্ম্মমত তিন সম্প্ৰদায়েরই এক, কেবল মাত্ৰ আচারে একটু বিভিন্ন।......দামোদরী সম্প্ৰদায়চাৰ্য্যগণ দামো-দর দেবকে শ্ৰীমন্মহাপ্ৰভুর শিষ্য বলিয়া পরিচয় দিতে চাহেন। ইহা নিতান্ত অসঙ্গত। শ্ৰীমন্মহাপ্ৰভুর কোনো আচারই এই সম্প্ৰদায়ে বৰ্ত্তমান নাই। দামোদর দেবে নাম-মন্ত্ৰও অন্যৰূপ। শঙ্করদেবের নাম ও দামোদরদেবের নাম উভয়ই বীজশূন্য।.... শঙ্করদেব জাতিতে শূদ্ৰ ছিলেন ও দামোদর প্ৰভৃতি ব্ৰাহ্মণ ছিলেন। বোধহয় বৰ্ণের গৌরব রক্ষার জন্যই ইহারা শঙ্করানুগত্য পরিত্যাগ পূৰ্ব্বক নিজ নিজ সম্প্ৰদায়ে ভাগবত বিরোধী, স্মৃতি

প্ৰতিপাদিত দেবতাৰাজন প্ৰভৃতি অবৈষ্ণবাচাৰ প্ৰবৰ্ত্তন কৰিয়াছিলেন ।.. সুতৰাং দামোদৰী ও হৰিদেৰী এই দুইটি সম্পাদায়েৰ পৃথক আলোচনা নিস্প্ৰয়োজন । শঙ্কৰ-মতই সমস্ত সম্প্ৰদায়েৰ মূলভিত্তি । .. শঙ্কৰেৰ প্ৰতিষ্ঠিত বিষ্ণুঅৰ্চ্চনা শঙ্কৰাচাৰ্য্যৰ পঞ্চোপাসনাৰ অন্তৰ্গত । উভয়ই মায়াবাদ । শঙ্কৰদেৱ বাৰাণসী হইতে শাস্ত্ৰ আনিয়া প্ৰকাশ কৰিয়াছেন বলিয়া কীৰ্ত্তন ঘোষাৰ উল্লেখ কৰিয়াছেন । সেই সময় বাৰাণসী মায়াবাদী সন্ন্যাসীগণ দ্বাৰা পূৰ্ণ ছিল ।"

এইডোখৰৰ দুটা চাইটা কথাৰ বাহিৰে বাকী-ৰোৰ লেখকৰ মূৰ্খতাৰ মেলা বা প্ৰদৰ্শনী । মুঠতে তেওঁক কওঁ যে শঙ্কৰদেৱৰ বিষ্ণু বা কৃষ্ণাৰ্চ্চনা শঙ্কৰাচাৰ্য্যৰ পঞ্চোপাসনাৰ অন্তৰ্গত নহয় আৰু মায়াবাদো নহয় । বাৰাণসীৰ পৰা অহা শাস্ত্ৰখন পদ্মপুৰাণৰ স্বৰ্গখণ্ডহে । সম্পূৰ্ণ ভাগৱত পুৰীৰ পৰাহে তেওঁৰ হাতলৈ আহিছিল, যি ভাগৱতৰ ওপৰত তেওঁৰ ধৰ্ম্ম প্ৰতিষ্ঠিত । মায়াবাদীৰ দুৰ্গ বাৰাণসীৰ পৰা অহা শাস্ত্ৰখন ৰত্নাৱলীহে । ৰত্নাৱলীৰ ৰচক বিষ্ণুপুৰী । নিমাইচান্দে কৈছে ইনি (বিষ্ণুপুৰী) মধ্বাচাৰ্য্যৰ সম্প্ৰদায় ভুক্ত । শ্ৰীমন্মহাপ্ৰভু এই সম্প্ৰদায়ে দীক্ষা গ্ৰহণেৰ অভিনয় প্ৰদৰ্শন কৰি-য়াছেন ।" আমি জানো অভিনয় মানে যি যিটো নহয়, বা বিশ্বাস নকৰে, লোকক দেখুৱাবলৈ অৰ্থাৎ ভুৱা দিবলৈ বা ৰং দিবলৈ সেইটো কৰি দেখুৱা, যথা-থিয়েটাৰ বা ভাৱনাত নট-নটীয়ে, যেনেকৈ "চৈতন্যচৰিত" ভাৱনাত ভাৱৰীয়াই চৈতন্য সজা, বা "কৃষ্ণলীলা" ভাৱনাত ৰাধা আৰু কৃষ্ণ হৈ দেখুৱা । চৈতন্যই এই ভুৱা কাক দিবলগীয়াত পৰিছিল ? যদি তেওঁ দীক্ষা লোৱাটো দেখুৱাই লোকক সেইদৰে ভুৱাহে দিছিল, তেন্তে তেওঁক কি বোলা যায় ? আমি কওঁ তেওঁ সেইটো অভিনয় কৰাও নাই, আৰু অভিনয় কৰি কাকো ভুৱা দিবলৈ যোৱাও নাই । তেতিয়া তেওঁ সেইটোত বিশ্বাস কৰিহে তেনে কৰিছিল । আমি আগেয়ে দেখুৱাই আহিছোঁ, তেওঁ সদায় অব্যৱস্থিতচিত্ত । তেওঁ impulsive সেই দেখি ভাবৰ উদ্বেগত কাম কৰাটোৱেই তেওঁৰ স্বভাৱ নীতি শাস্ত্ৰত কৈছে :—"অব্যৱস্থিতচিত্তস্য প্ৰসাদোঽপি ভয়ঙ্কৰ : ।" আমি আগৰ প্ৰবন্ধত তেওঁৰ ছোট হৰি-দাসৰ প্ৰতি ব্যৱহাৰৰ কথা কৈ আহিছোঁ, ছোট হৰিদাসে চৈতন্যৰ দৰে সন্ন্যাস লৈছিল নে নাই লোৱা কব নোৱাৰোঁ ; সম্ভৱতঃ নাই লোৱা । তেওঁ চৈতন্যৰ দলৰ কীৰ্ত্তনীয়া । তেওঁ বিবাহিত নে অবি-বাহিত তাকো কব নোৱাৰো । চৈতন্যৰ দলত যে তেতিয়া বিবাহিত মানুহ নাছিল, এনে নহয় । চৈতন্য নিজেই সন্ন্যাস লোৱাৰ আগেয়ে দুবাৰ বিবাহিত । ছোট হৰিদাস বৰাগী ভকত । বৰাগীয়ে ভিক্ষা কৰি খায় । গৃহস্থৰ ঘৰলৈহে বৰাগী ভিক্ষাৰ নিমিত্তে যাবই লাগিব । গৃহস্থনীয়েহে সাধাৰণতঃ এমুঠি চাউল বা এটা পইচা বৰাগীক দিয়ে, গৃহস্থ প্ৰায় ঘৰত নাথাকেই । তেন্তে হৰিদাসেনো কি গুৰুতৰ পাপটো কৰিলে যে তেওঁক এনে শাস্তি চৈতন্যই দিলে ? আৰু ভগৱান আচাৰ্য্য নামেৰে এজন বিশিষ্ট লোকৰ আজ্ঞাতহে তেওঁ গৈছিল ।

"মোৰ নামে শিখি মাহিতীৰ ভগিনী স্থানে গিয়া ।
উত্তম চাউল এক মন আনহ মাগিয়া ।।"

শিখি মাহিতীৰ ভনীয়েক এজনী পৰম বৈষ্ণৱী । চৈতন্যই তেওঁক চাৰে তিনিজন প্ৰধান বৈষ্ণৱৰ ভিতৰৰ "চাৰে" বুলিছিল । ভক্তমাল গ্ৰন্থত এওঁক কৃষ্ণাৱতাৰত কৃষ্ণই অন্ন মাগি খোৱা বিপ্ৰপত্নীৰ অৱতাৰ বুলিছে :—

শ্ৰীশিখি মাহাতী মাধৱী ভগ্নী সহ ।
*   *   *   যজ্ঞপত্নী পূৰ্ব্বে ।।
যাৰ স্থানে মহাপ্ৰভু অন্ন মাগি খান ।।"

বৈষ্ণৱে বৈষ্ণৱৰ ঘৰলৈ গৈ ভিক্ষা মাগিলে কি মহাপাতক হয় ? সিফালে দামোদৰ পণ্ডিত নামে এজনে "প্ৰভুৰ (চৈতন্যৰ) উপৰে যেহোঁ কৰে বাক্যদণ্ড ।" এটা ঘটনাত চৈতন্যক কি কৈছিল শুনা । ঘটনাটো এই—

পুৰুষোত্তমে এক উড়িয়া ব্ৰাহ্মণ কুমাৰ ।
পিতৃশূন্য মহাসুন্দৰ মৃদু ব্যৱহাৰ ।।
প্ৰভু স্থানে নিত্য আইসে কৰে নমস্কাৰ ।
প্ৰভু সনে বাত কহে প্ৰভু প্ৰাণ তাৰ ।।
প্ৰভুতে তাহাৰ প্ৰীতি প্ৰভু দয়া কৰে ।
দামোদৰ তাৰ প্ৰীতি সহিতে নাপাৰে ।।
বাৰ বাৰ নিষেধ কৰে ব্ৰাহ্মণ কুমাৰে ।
প্ৰভু না দেখিলে সেই ৰহিতে নাপাৰে ।।
নিত্য আইসে প্ৰভু তাৰে কৰে মহাপ্ৰীতি ।
যাহা প্ৰীতি তাঁহা আইসে বালকেৰ ৰীতি ।।
তাহা দেখি দামোদৰ দুঃখ পায় মনে ।
বলিতে নাপাৰে বালক নিষেধ নামানে ।।
আৰ দিন সে বালক প্ৰভু স্থানে আইলা ।
গোসাঞি তাৰে প্ৰীতি কৰি বাৰ্ত্তা পুছিলা ।।
কতক্ষণে সে বালক উঠি যবে গেলা ।
সহিতে নাপাৰি দামু কহিতে লাগিলা ।।
অন্যোপদেশে পণ্ডিত কাঁহা গোসাঞিৰ ঠাঞি ।
গোসাঞি গোসাঞি এবে জানিব গোসাঞি ।।
এবে গোসাঞিৰ গুণ সব লোকে গাইবে ।
গোসাঞিৰ প্ৰতিষ্ঠা সব পুৰুষোত্তমে হৈবে ।।

এই কথা শুনি চৈতন্যই দামোদৰক কি কৈছা বুলি সুধিলত দামোদৰে কলে—

"স্বচ্ছন্দে আচার কৰ কে পারে বলিতে।
মুখর জগতে মুখ পার আচ্ছাদিতে॥
পণ্ডিত হইয়া মনে কেন বিচার নাকর।
রাণ্ডী ব্রাহ্মণীর বালকে প্রীতি কেন কর॥
যদ্যপি ব্রাহ্মণী সেই তপস্বিনী সতী।
তথাপি তাহার দোষ সুন্দরী যুবতী॥
তুমিহ পরম যুবা পরম সুন্দর।
লোক কাণাকাণিতে দেহ অবসর॥

এই উত্তৰ দিলত চৈতন্যই ভাবি সেই দিনা মনে মনে থাকিল। ইয়াৰ পিছত আন এদিন দামোদৰক নিভৃতে মতাই আনি কলে—

"আমাকেই মাতে তর্ক কৈলে সাবধান।
তোমা সব নিরপেক্ষ নাহি মোরগণ॥
আমাকেই করিলে দণ্ড আন কেবা হয়।"

এই বুলি দামোদৰক হুকুম দিলে—

"প্রভু কহে দামোদর চলহ নদীয়া।
মাতার সমীপে তুমি রহ তাহা যাঞা॥
মাতার গৃহে রহ যাহ মাতার চরণে।
তব আগে নাহি কার স্বচ্ছন্দাচরণে॥"

অৰ্থাৎ দামোদৰক তেওঁৰ লগৰ পৰা আঁতৰালে।

শিখি মাহিতীৰ ভনীয়েক বুঢ়ী বৈষ্ণৱী। বুঢ়ী বৈষ্ণৱীৰ পৰা চাউল মাগি অনাতে দুখীয়া হৰিদাসৰ এনে শাস্তি যাব নিমিত্তে হৰিদাসে শেহত প্ৰয়াগৰ গঙ্গাত বুৰি আত্মহত্যা কৰিলে। বৈষ্ণৱ বৈৰাগীয়ে বৈষ্ণৱ-প্ৰকৃতিক সম্ভাষণ কৰিলে যদি মহাপাপ, তেন্তে চৈতন্যই দেখোন গোপীসকলৰ, ৰাধাৰ সখী-সকলৰ সৈতে চৌব্বিশ ঘণ্টা মানসিক সম্ভাষণ কৰিয়েই আছিল। শাস্ত্ৰত কায়েৰে কৰা কাৰ্য্য আৰু মনেৰে কৰা কাৰ্য্য এই দুটাৰ ভিতৰত প্ৰভেদ থকাটো আমি নাজানো। ইয়াৰ উপৰি যদিও তেওঁ নীলাচলত সৌ-শৰীৰেৰে আছিল, নদীয়াত মাক শচী দেৱীৰ ওচৰত মনেৰে দেখোন দিনৌ আছিল বুলি তেওঁ কৈছে। মহাবৈষ্ণৱী বৃদ্ধা মাধৱী দেৱীহে (শিখি মাহিতীৰ ভনীয়েক) অকল প্ৰকৃতি বা তিক্তা?

তেওঁ মাকৰ ওচৰলৈ তেওঁৰ বাঁতৰি দি মানুহ পঠিয়াওঁতে কৈ পঠিয়াইছিল—

"এই বস্ত্র মাতাকে দিও এ সব প্রসাদ।
দণ্ডবৎ করি ক্ষমাইহ অপরাধ॥
তাঁর সেবা ছাড়ি করিয়াছি সন্ন্যাস।
ধর্ম্ম নহে কৈল আমি নিজ ধর্ম্ম নাশ॥
তাঁর প্রেমবশ আমি তাঁর সেবা-ধর্ম্ম।
তাহা ছাড়ি করিয়াছি বাতুলের কর্ম্ম॥
বাতুল বালকের মাতা নাহি লয় দোষ।
এত জানি মাতা মোরে মানিবে সন্তোষ॥
কি কার্য্য সন্ন্যাসে মোর প্রেম নিজ ধন।
যে কালে সন্ন্যাস কৈল ছন্ন হৈল মন॥
নীলাচলে আছি মুই তাঁহার আজ্ঞাতে।
মধ্যে মধ্যে যাই তাঁর চরণ দেখিতে॥
নিত্য যাই দেখি মঞি তাঁহার চরণে।
স্ফূর্ত্তিজ্ঞানে তেঁহো তাহা সত্য নাহি মানে॥"

—চৈ, চরিতামৃত

ৰামানন্দ ৰায়, যাৰ ওচৰত চৈতন্যই ৰাধাকৃষ্ণ প্ৰেমৰ তত্ত্বকথা অনেক শিকিছিল আৰু যাক তেওঁ গোদাবৰী তীৰৰ পৰা মাতি আনি নীলাচলত ৰাখিছিল, আৰু যি ধনী, মানী, ডাঙৰ মানুহ; দোলাত নুঠাকৈ এখোজ দুখোজো নুফুৰিছিল; সেই ৰামানন্দৰ বেলিকা তেওঁৰ ব্যৱহাৰ চাবলগীয়া।

তেওঁ কৈছে—

"আমিত সন্ন্যাসী আপনা বিরক্ত করি মানি।
দর্শন দূরে প্রকৃতির নাম যদি শুনি॥
তবহি বিকার পায় মোর তনু মন।
প্রকৃতি দর্শনে স্থির হয় কোন জন॥
রামানন্দ রায়ের কথা শুন সর্ব্বজন।
কহিবারে নহে যাহা আশ্চর্য্য কথন॥
এক দেবদাসী আর সুন্দর তরুণী।
তাহাদের সব সেবা করেণ আপনি॥
স্নানাদি করায় পরায় বাস বিভূষণ।
গুহ্য অঙ্গ যত তাঁর দর্শন স্পর্শন॥
তবু নির্ব্বিকার রায় রামানন্দের মন।
নানা ভাবোদগমে তাদের করায় শিক্ষণ॥
নির্ব্বিকার দেহ মন কাষ্ঠ পাষাণ সম।
আশ্চর্য্য তরুণী স্পর্শে নির্ব্বিকার মন॥
এক রামানন্দের হয় এই অধিকার।
তাতে জানি অপ্রাকৃত দেহ তাহার॥

—চৈ, চরিতামৃত

"বিষ্ণুপূজক" কিতাপ লেখোঁতাই লেখিছে—"এক্ষণে জিজ্ঞাস্য, যাহাৰা শ্ৰীৰামানন্দেৰ ভজনকে নজীৰ ধৰেন, তাহাদেৰ মধ্যে কতজন প্ৰকৃতি সহ নিৰ্ব্বিকাৰচিত্ত ৰহিয়াছেন? আবাৰ অপ্ৰাকৃত ৰস ভজনে যে মেয়েলোকেৰ প্ৰয়োজন, ইহাই বা তাহাৰা কোথাই পাইলেন?"

আমিও সোধোঁ, ৰামানন্দয়েই বা কত পাৰে? কথাতে কয় "মৰৰ দাৰ পিচলি যায়, মকৰ দাৰ খুচৰি যায়।" ৰামানন্দৰ দেহ মন যদি কাঠ শিলৰ নিচিনা, তৰুণীক চুইও নিৰ্ব্বিকাৰ, তেন্তে তৰুণীক চুবলৈ বা আৱশ্যক কি? কাঠৰ শ্ৰীমূৰ্ত্তি এটাতে

দেখোন তেওঁ তেওঁৰ সাধন কৰিব পাৰিলেহেঁতেন। ৰাধাকৃষ্ণৰ তত্ত্বশিক্ষাৰ এৰেঁই চৈতন্যৰ শিক্ষক। ঈশ্বৰৰ অপাৰ কৰুণা যে আমাৰ "মায়াবাদী অবৈষ্ণৱ" শ্ৰীশঙ্কৰদেৱে এনে তত্ত্বৰে ভৰা বৈষ্ণৱ ধৰ্ম্ম অসমত প্ৰচাৰ নকৰি, পোনপটীয়া নামধৰ্ম্ম-শ্ৰৱণ, কীৰ্ত্তন-ভক্তি ধৰ্ম্ম অসমত প্ৰচাৰ কৰিলে, যাৰ নিমিত্তে অসমীয়া শ্ৰীযুত নৰেশচন্দ্ৰ দাস লাজতে অধোবদন, আৰু যি ধৰ্ম্মৰ বিছাৰ কাযোঁৰত চেঙালুটি পাৰি তেওঁ মৰিবলৈ যাওঁতে এই চৈতন্যীয়া ধৰ্ম্মক বাটতে পাই সাৱটি ধৰি নিজৰ নামটো সলাই কোনোমতে এই যাত্ৰালৈ ৰক্ষা পৰিল।

চৈতন্যাই ৰামানন্দ ৰায়ক কৈছিল—

"সাধাৰণ প্ৰেম দেখি সৰ্ব্বত্ৰ সমতা।
ৰাধাৰ কুটিল প্ৰেম হইল বামতা॥
ক্ৰোধ কৰি ৰাস ছাড়ি গেলা মান কৰি।
তাৰে নাদেখিয়া ব্যাকুল হইল শ্ৰীহৰি॥
তাহা বিনু ৰাসলীলা নাহি ভায় চিতে।
মণ্ডলী ছাড়িয়া গেলা ৰাধা অন্বেষিতে॥
ইতস্ততঃ ভ্ৰমি কাঁহা ৰাধা নাপাইয়া।
বিষাদ কৰে কামবশে খিনু হৈয়া॥
শত কোটি গোপীতে নহে কাম নিৰ্ব্বাপণ।
ইহাতেই অনুমানি শ্ৰীৰাধিকাৰ গুণ॥
প্ৰভু কহে যে লাগি আইলাম তব স্থানে।
সেই সব ৰসবস্তুতত্ত্ব হৈল জ্ঞানে॥
এবে জানিল সেব্য সাধ্যেৰ নিৰ্ণয়।
আগে কিছু আমাৰ শুনিতে চিত্ত হয়॥
কৃষ্ণেৰ স্বৰূপ কহ ৰাধিকা স্বৰূপ।
ৰস কোন তত্ত্ব প্ৰেম কোন তত্ত্বস্বৰূপ॥
কৃপা কৰি এই তত্ত্বৰূপ কহত আমাৰে।
তোমা বিনে ইহা কেহ নিৰূপিতে নাৰে॥

*

প্ৰভু কহে মায়াবাদী আমিত সন্ন্যাসী।
ভক্তিতত্ত্ব নাহি জানি মায়াবাদে ভাসি॥
সাৰ্ব্বভৌম সঙ্গে মোৰ মন নিৰ্ম্মল হইল।
কৃষ্ণভক্তি তত্ত্বকথা তাহাৰে পুছিল॥
তেঁহো কহে আমি নাহি জানি কৃষ্ণকথা।
সবে ৰামানন্দ জানে তেঁহো নাহি এথা॥
তোমাৰ স্থানে আইলাম তোমাৰ মহিমা শুনিয়া।
তুমি মোৰে স্তুতি কৰ সন্ন্যাসী জানিয়া॥
কিবা বিপ্ৰ কিবা শূদ্ৰ সন্ন্যাসী কেনে নয়।
যেই কৃষ্ণতত্ত্ববেত্তা সেই গুৰু হয়॥
সন্ন্যাসী বলিয়া মোৰে নাকৰ বঞ্চন।
ৰাধাকৃষ্ণতত্ত্ব কহি পূৰ্ণ কৰ মন॥"—চৈ, চৰিতামৃত

ৰাধাই যে মান কৰি ৰাস-মণ্ডলৰ পৰা গুচি গল। কৃষ্ণই কামবশত খীনু হৈ ৰাধাক বিচাৰি গল। এনেবোৰ কথা শ্ৰীমদ্ভাগৱতৰ বিৰোধী।

ৰামানন্দই শিকোৱা আৰু চৈতন্যাই পাপীক উদ্ধাৰ কৰিবলৈ প্ৰচাৰ কৰা শ্ৰীমদ্ভাগৱতত নথকা আৰু তাৰ মতবিৰোধী এই প্ৰেমতত্ত্ব তেওঁৰ শিষ্য-সকলৰ মাজত পৰি অচিৰতে কি হল, সকলোৱে দেখিছে। আমাৰ শ্ৰীশঙ্কৰদেৱে এই প্ৰেমতত্ত্ব প্ৰচাৰ ধৰ্ম্মৰ কি বিষময় ফল হয়, তাক ভালকৈ জানি তাৰ পৰা অসমক আঁতৰত ৰাখি, গীতা ভাগৱতসম্মত শুদ্ধসত্ত্ব মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্ম অসমত প্ৰচাৰ কৰি অসমক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰিলে।

"বিষ্ণুপূজক" গ্ৰন্থকৰ্ত্তাৰ ওচৰত শ্ৰীশঙ্কৰদেৱৰ আৰু এটা ডাঙৰ "কচুৰ" যে তেওঁ কোনো প্ৰচলিত সম্প্ৰদায় ভুক্ত নহয়। অৰ্থাৎ ধৰা, তেওঁ স্বৰাজিষ্ট নহয়, গান্ধিয়াইট নহয়, মডাৰেট নহয়, লিবাৰেল নহয়; সেই হেতুকে ধৰ্ম্মপ্ৰচাৰকৰ কাউন্সিল সভাত তেওঁৰ ইলেকশ্যন বহিত। তেওঁক চাৰিটা সম্প্ৰদায়—যথা ব্ৰহ্মা, ৰুদ্ৰ, শ্ৰী আৰু সনক কাৰো ভিতৰত দেখা পোৱা নাযায় বেতিয়া তেওঁ প্ৰচাৰ কৰা ধৰ্ম্ম বৈষ্ণৱ ধৰ্ম্ম নহয়। "পাৰ্টি লেবেল" অৰ্থাৎ সম্প্ৰদায়ৰ বা দলৰ মাৰ্কা তেওঁৰ গাত নাই কিয়? সম্প্ৰদায় বা দল পাতি স্বপক্ষ বলৱন্ত কৰোঁতা শাস্ত্ৰৰ শ্লোক মাতি দিয়া গল, তেওঁ শুনক—

"সম্প্ৰদায়বিহীনা যে মন্ত্ৰাস্তে বিফলা মতাঃ।
শ্ৰী-ব্ৰহ্ম ৰুদ্ৰ-সনকা বৈষ্ণবাঃ ক্ষিতিপাবনাঃ॥"

এতদ্ধেতু শঙ্কৰদেৱ অবৈষ্ণৱ। "পাৰ্টি" বা সম্প্ৰদায় গঠন কৰোঁতা আৰু তাক বলী কৰি ৰাখিবলৈ যাওঁতা সংস্কৃত শ্লোক বা বচন আৰো মাতি দিয়া গল শুনা—

"যো ব্যক্তি ন্যায় ৰহিতম্ অন্যায়েন শৃণোতি যঃ।
তৌ উভৌ নৰকং ঘোৰং ব্ৰজতঃ কালমক্ষয়ম্॥
অবৈষ্ণবোপদিষ্টেন মন্ত্ৰেণ নিৰয়ং ব্ৰজেৎ।
পুনশ্চ বিধিনা সম্যক গ্ৰাহয়েদ বৈষ্ণবাদ্ গুৰোঃ॥"

এইবোৰ শ্লোক "পাৰ্টি লিডাৰ সকলৰ" "বাই-ল" শাস্ত্ৰত প্ৰক্ষিপ্ত নে কি তাৰ উৱাদিহ উলিয়া চান। ৰামায়ণ, মহাভাৰত, গীতা, ভাগৱততে যেতিয়া প্ৰক্ষিপ্ত শ্লোক স্বাৰ্থসিদ্ধি কৰোঁতাসকলৰ যাৰাই ভুৰি ভুৰি সোমাইছে, এইবোৰ সংস্কৃত ভাষাত ৰচিত অপ্ৰমাণিত সোমোৱাত আশ্চৰ্য্য কি? সেইদেখি বৃহস্পতিয়ে কৈছে—

"কেবলম্ শাস্ত্ৰমাশ্ৰিত্য ন কৰ্ত্তব্যো বিনিৰ্ণয়ঃ।
যুক্তিহীন বিচাৰেণ ধৰ্ম্মহানি প্ৰজায়তে॥"

আমি সোধোঁ—ব্ৰহ্মা, ৰুদ্ৰ, শ্ৰী আৰু সনক এই চাৰিটা সম্প্ৰদায় স্বয়ম্ভু নে আৰু একে সময়তে ওলোৱা নে শাইকা এটাৰ পিছত এটা? এই কেইটা সম্প্ৰদায় যি চাৰিজনে স্থাপন কৰিলে, তেওঁলোক ৰাইপন্থি

কোন কোন সম্প্ৰদায়ভুক্ত আছিল ? "বৈষ্ণৱ পূজকৰ" বচকে শ্লোক মাতি কৈছে—"শ্ৰীদেৱী ৰামানুজকে, চতুৰ্ম্মুখ ব্ৰহ্মা মধ্বাচাৰ্য্যকে, ৰুদ্ৰ বিষ্ণুস্বামীকে এবং চতুঃসন নিম্বাৰ্ক স্বামীকে স্ব স্ব সম্প্ৰদায়েৰ প্ৰবৰ্ত্তক-ৰূপে অঙ্গীকাৰ কৰিয়াছেন ।" ইয়াৰ ওপৰত আৰু আমি কি কব পাৰোঁ ? শ্ৰীদেৱীয়ে ৰামানুজেৰে সৈতে, চতুৰ্ম্মুখ ব্ৰহ্মাই মধ্বাচাৰ্য্যৰে সৈতে, ৰুদ্ৰই বিষ্ণুস্বামীৰে সৈতে, সনক সনাতন, সনন্দ আৰু সনৎকুমাৰে নিম্বাৰ্ক স্বামীৰে সৈতে কলিত আজি কেইশ বছৰৰ আগেয়ে অৰ্থাৎ আকবৰ বাদশ্বাহ আৰু মানসিংহৰ সময়ত অৰ্থাৎ শঙ্কৰাচাৰ্য্যৰ পিছৰ কালত গোঁসাইবোৰে দেখা কৰি তেওঁলোকক "স্ব স্ব সম্প্ৰদায়েৰ প্ৰবৰ্ত্তক-ৰূপে অঙ্গীকাৰ কৰিলে" আৰু এই কথাই সংস্কৃত শ্লোকৰ "পাগ-জামা" পিন্ধি গ্ৰন্থৰ সমজ্যাত বহিল । কিন্তু ওপৰত কোৱা কেইজনৰ শদেক বছৰৰ পিছত শ্ৰীশঙ্কৰদেৱে, যাক বঙ্গদেশৰ চৈতন্যৰ দৰে কামৰূপ দেশত শ্ৰীকৃষ্ণৰ অৱতাৰ বুলি লক্ষ লক্ষ মানুহে আজি প্ৰায় পাচশ বছৰ স্বীকাৰ কৰি মানি আহিছে, তেওঁ হলে ওপৰত কোৱা চাৰিটা সম্পদায়ৰ মাৰ্কা নোহোৱাকৈ স্বাধীনভাৱে অথচ গীতা-ভাগৱত আদি শাস্ত্ৰসম্মত মহাপুৰুষীয়া ধৰ্ম্ম প্ৰচাৰ কৰিব নাপায় । পাণ্ডৱ-বৰ্জ্জিত দেশ অঙ্গ-বঙ্গ-কলিঙ্গৰ ভিতৰৰ বঙ্গৰ চৈতন্যই হলে আটাইবোৰ কৰিব পাৰে ; কাৰণ তেওঁ—"তোমাৰ যে ইচ্ছা কৰ স্বতন্ত্ৰ ঈশ্বৰ" (চৈ, চৰিতামৃত) । চৈতন্যই ঈশ্বৰপুৰীৰ ওচৰত বৈষ্ণৱ মন্ত্ৰ লৈ তাৰ পিছত কেশৱ ভাৰতীৰ ওচৰত সন্ন্যাস লব পাৰে, (যদিও কলিত সন্ন্যাস নাই বুলি তেওঁ মনা শাস্ত্ৰয়ে কৈছে) আৰু নিমাইচান্দে কৰৰ দৰে "গৌৰসুন্দৰ অচিন্ত্য ভেদাভেদবাদ প্ৰচাৰ কৰেন । এই বাদে অন্যান্য চাৰিটি বৈষ্ণৱ বাদই সামঞ্জস্য লাভ কৰিয়া অপূৰ্ব্ব শোভা ধাৰণ কৰিয়াছে । অচিন্ত্য ভেদাভেদবাদ ভক্তি একটি অপ্ৰাকৃত সৌধস্বৰূপ এবং ইহা উক্ত বৈষ্ণৱ মত ৰাজ্যেৰ চতুষ্টয়ৰূপ চাৰিটি স্তম্ভেৰ উপৰ প্ৰতিষ্ঠিত ।" অৰ্থাৎ "তেওঁ দীক্ষাৰ অভিনয়" কৰি এটা সম্পদায়ত দীক্ষা লৈ বেজী হৈ সোনাই পিছত তাৰ পৰা নাঙলৰ ফাল হৈ ওলাই চাৰিওটা সম্প্ৰ-দায়ৰপৰা চাইটা ডাঙৰ এজাৰ কাঠৰ খুটা টানি আনি সেই সম্প্ৰদায় কেইটাৰ একো একোটা ঠেং খোৱা কৰি সেই চাৰিটাৰ ওপৰত নিজৰ "অচিন্ত্য ভেদা-ভেদৰ" ডাঙৰ পকীঘৰ সাজি গাত ৰাধা-প্ৰেমৰ দেও-ধনি তুলি লৈ, তাৰ মজিয়াত ধুপালি পাৰি নাচি ধুপধুপ্ কৰে বিমূৰ্চ্ছিত হৈ পৰিব পাৰে ; কাৰণ তেওঁ পাৰিষদ আৰু গোপীসকলক লগত লৈ একেবাৰেই গোলোকৰ পৰা অহা স্বতন্ত্ৰ ঈশ্বৰ । আৰু আমাৰ শঙ্কৰদেৱ আন নালাগে তলৰ খাপৰো ঈশ্বৰৰ অৱতাৰ হোৱাটোতো দূৰৰ কথা, নিমাইচান্দৰ অদ্বৈতৰ দলৰ "নাক-কটা চিপাহী" মায়াবাদী "নাস্তিক" !! "অবৈষ্ণৱ" !!! কালাপাহাৰ জানো পছত লাগিছিল ? এনেদৰেই হৈছিল ।

পৰম বৈষ্ণৱ হৰিভক্ত শ্ৰীশঙ্কৰদেৱক নিন্দা কৰি নিমানন্দই হৰিকেহে নিন্দা কৰিছে, নিশ্চয় জানি থব । তেওঁ তেওঁৰ ইহকাল পৰকাল দুইবো শৰাধ কৰিলে—

"হৰিৰ পৰম প্ৰিয়তম নাই
হৰিভকতৰ পৰে ।
হেন ভকতক যিজনে নিন্দয়
হৰিকেসে নিন্দা কৰে ॥" —ঘোষা

এটা কথা কওঁ যে ঈশ্বৰৰ পাৰ্টি বা সম্প্ৰদায় নাই । তেওঁ সকলোতে সম । তেওঁ জগন্নাথ ।

"কৰ্ম্ম অনুসাৰে ইটো জগতক
পালন্ত হৰি সাক্ষাৎ ।
এহি হেতুতেসে জগন্নাথ নাম
আছন্ত হুয়া প্ৰখ্যাত ॥" —ঘোষা

তেওঁৰ পূজা-সেৱা-অৰ্চ্চনাৰ নিমিত্তে এই চাৰি সম্প্ৰদায়ৰ আগেয়ে কত সম্প্ৰদায় হৈ কালৰ গৰ্ভত লীন হৈ গৈছে, ভৱিষ্যততো কত সম্প্ৰদায় গঠিত হব তাক কোনে কব পাৰে ? ঈশ্বৰ কৃষ্ণ সম্প্ৰদায়ৰ সীমাৰ ভিতৰত বান্ধ খাই নাই ।

"তাঁৰে আৰতি কৰে চন্দ্ৰ তপন,
দেৱ মানৱ বন্দে চৰণ ।
আসীন সেই বিশ্বশৰণ,
তাঁৰ জগত মন্দিৰে ॥" —ৰবীন্দ্ৰনাথ

"বিষ্ণুপূজক" কিতাপ লিখোঁতাই কৈছে—"বিষ্ণুপূজকগণ নাম গ্ৰহণ কৰেণ কেবল চিত্তশুদ্ধিৰ জন্য । তাই আমৰা বীজহীন নামেৰ প্ৰচলন মহা-পুৰুষীয়া সম্প্ৰদায়ে দেখিতে পাই ।"

এইবোৰ তুঁহ-পতান বেপাৰীৰ কথা । আমি সোধোঁ বীজহীন নামটো কেনেকুৱা কোৱাচোন বোপাই ? গুটি নথকা মধুৰীআম বা গুটি নথকা অমৃতাৰ নিচিনা নে ? আজিকালি ফলৰ বাগিচাৰ মালীয়ে নানা প্ৰবন্ধ কৰি তেনেকুৱা মধুৰীআম আৰু অমৃতা কৰি উলিয়াইছে । জঙ্গলী অৱস্থাত ফল গুটিৰেই ভৰি থাকে ; যেনে বনবীয়া কল আৰু আঠীয়া কল, আৰু তাৰ পিতৃ-পুৰুষবোৰ । গুটি নথকা মালভোগ কল অনেক পুৰুষীয়া সাধ্য-সাধনা আৰু সভ্যতাৰ ফল । তান্ত্ৰিক ধৰ্ম্মৰ বৃদ্ধি, ব্যাপ্তি আৰু প্ৰচাৰ দেখি "পাৰ্টি" বা সাম্প্ৰদায়িক ধৰ্ম্ম ব্যৱসায়ী বৈষ্ণৱেও তান্ত্ৰিকৰ নিচিনাকৈ "হ্ৰীং ক্লীং কট্ স্বাহা"ৰ নিচিনাকৈ

নামতো বীজ বা গুটি ধৰাবলৈ লাগিল আৰু লগে লগে মন্ত্ৰ আৰু দীক্ষাও ওলাল; কাৰণ সেইবোৰ তেওঁলোকৰ সম্প্ৰদায়ত নাই বুলি বিপক্ষ দলে গ্লানি কৰিছিল আৰু তেওঁলোকৰ ব্যৱসায় অচল কৰি আনিছিল। হৰিনামত বীজ বিচৰাই অনা উচিত যে হৰিনাম ভাগৱত-ৰস নিগম কল্পতৰুৰ ফল। তাৰ বীজ নাই, বাকলি নাই, আঁহ নাই, সিতা নাই, সি গোটেইটো সুমধুৰ, সুপক্ক। তাৰ পৰা পেলাবলৈ একো নাই, সি বাহিৰে-ভিতৰে সাহ আৰু ৰস অৰ্থাৎ জানিবা সি বাগ্‌বজাৰৰ ৰসগোল্লা। "নিগম কল্পতৰোৰ্গলিতং ফলং শুকমুখাদমৃত দ্ৰবসংযুতম। পিৱত ভাগৱতম্ ৰসমালয়ম্ মুহুৰহোৰসিকাঃ ভুবি ভাবুকাঃ ॥"

"দুগুটি অক্ষৰ ৰাম নাম"
"শ্ৰীৰাম নাম অমিয়ামাধুৰী জৰে।
অতি সুকোমল পৰম মঙ্গল
সৱে মনোৰম পুৰে ॥"

দোকানদাৰ, সাম্প্ৰদায়িক বৈষ্ণৱসকলক কওঁ যে ৰাম নাম বা কৃষ্ণ নাম গুটি কল নহয়। গোটেইটো বীজ মন্ত্ৰ। মহাপুৰুষে যোযাত কৈছে—

"জানা শ্ৰীৰাম নাম নিজ, সমস্ত মন্ত্ৰৰ মূল বীজ,
সঞ্জীৱনী প্ৰায় যাৰ মনে প্ৰবেশয়।
যদি হলাহল পান কৰে প্ৰলয় বহ্নিত যদি পৰে
মৃত্যুৰ মুখত পৰিলেও নাহি ভয় ॥"

"এক খানি মাত্ৰ শাস্ত্ৰ নিষ্ঠ দৈৱকীতনয়ে কৈলা যাক,
দেৱ এক মাত্ৰ দৈৱকী দেৱীৰ সুত।
দৈৱকী পুত্ৰৰ পদ সেৱা কৰ্ম্ম এহি মানে মাত্ৰ জানা
মন্ত্ৰ এক তান নাম মহা অদভুত ॥

"নাৰায়ণায় নম ইত্যয়মেৱ সত্যং সংসাৰ
ঘোৰ বিষ সংহৰণায় মন্ত্ৰং।
শৃন্বন্ত লুব্ধ তগো মুদিতাঃ সৰাগমুচ্চৈ
স্তৱামুপদিশামাহ মুৰ্দ্ধবাহুঃ ॥"

"ব্যাস নিগদতি লুব্ধমতি শুনিয়ো আনন্দে কৰ্ণ পাতি
দেও উপদেশ ঊৰ্দ্ধ বাহু উচচ কৰি।
এহি মানে মাত্ৰ মহামন্ত্ৰ সংসাৰ দুৰ্ঘোৰ বিষহাৰী
নমো নাৰায়ণ বুলিয়োক মুখ ভৰি ॥"

মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে কীৰ্ত্তনত কৈছে—

"হৰি ৰাম হৰি ৰাম এই মূল মন্ত্ৰ।
কলিত নাহি তপ যজ্ঞ মন্ত্ৰ ॥"
ভাই, ৰাম কহ, ৰাম কহ, ৰাম মন্ত্ৰ সাৰ।
তপ জপ যজ্ঞ যোগে সিদ্ধি নাহি আৰ ॥"

শিষ্যৰ মন-পথাৰত গুটি থকা নাম বিচাৰি আনি সিচিবলৈ তেওঁলোকে বজাৰলৈ যাব নালাগে। তেওঁলোকে মাথোন শিষ্যক উপদেশ দিয়ক। ঈশ্বৰৰ সহস্ৰনামৰ প্ৰত্যেকটোৰেই তেওঁলোকে বিচৰা বীজ মন্ত্ৰ। শিষ্যাই বুদ্ধিক সত্ৰস্থ কৰি কোনো এটি নাম জপিলেই উদ্ধাৰ হব। অৱশ্যে ৰাম আৰু কৃষ্ণ নামৰ মাহাত্ম্য শাস্ত্ৰত অসীম বুলি কৈছে। আৰু দুইজনা মহাপুৰুষে সেই নামকেহে শিষ্যক শ্ৰীকৃষ্ণৰ চৰণত শৰণৰ উপদেশ দিওঁতে দিযে। হৰিত শৰণ লৈ হৰিক ভজনা কৰি, হৰিক নমস্কাৰ কৰিবৰ উপদেশেই যথেষ্ট দীক্ষা। বাকীবোৰ দোকানদাৰী।

"হৰিত শৰণ লৈয়া যিটো জনে
সদা ৰাম নাম গাৱে।
হোক বা সকাম নিষ্কাম তথাপি
কলিৰ দোষে নপাৰে ॥
ৰাম কৃষ্ণ ৰাম কৃষ্ণ বোল ভাই
নামে নৰ্কবিবা হেলা।
হৰিৰ নামৰ মাজত সমস্ত
ভকতি সুখৰ মেলা ॥"
"ৰাম কৃষ্ণ হৰি ৰাম কৃষ্ণ হৰি
ৰাম কৃষ্ণ হৰি ৰাম।
ৰাম কৃষ্ণ হৰি বুলিয়া ত্যজিগো
ধৰ্ম্ম অৰ্থ মোক্ষ কাম ॥"—ঘোষা

ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত বৈষ্ণৱ কাক কয় তাৰ সংজ্ঞা দিছে—"বিষ্ণুমন্ত্ৰোপাসকশ্চ এ সব বৈষ্ণৱো দ্বিজ।" অৰ্থাৎ হে দ্বিজ! যি বিষ্ণু মন্ত্ৰৰ উপাসক তেৱেঁই বৈষ্ণৱ। ৰাম, কৃষ্ণ, নাৰায়ণ, বাসুদেৱ ইত্যাদি বিষ্ণুৰ নামেই যদি মন্ত্ৰ বা বীজ মন্ত্ৰ হল, তেন্তে সেই নাম কৃষ্ণত শৰণ লৈ একান্তচিত্তে লওঁতা জন কিয় বৈষ্ণৱ নহব? অৱশ্যে "পাৰ্টি লেবেল" বা সম্প্ৰদায়ৰ "মাৰ্কা" নথকা সেই মন্ত্ৰ অশুদ্ধ বা নিষ্ফল বুলি সাম্প্ৰদায়িক ধৰজা উৰোৱাসকলে কৈছে। যেনে পাদ্মত বা গৌতমীয় তন্ত্ৰত—"সম্প্ৰদায় বিহীনা যে মন্ত্ৰাস্তে নিষ্ফলা মতাঃ।" আৰু এই সম্প্ৰদায় শব্দটো তেওঁলোকৰ মতে মাথোন চাৰিটি সৰু জানেদি বৈছে, বিশাল ব্ৰহ্মপুত্ৰইদি নহয়—যেনে শ্ৰী, ব্ৰহ্মা, ৰুদ্ৰ আৰু সনক আৰু এই চাৰিটাৰে হেনো কলিকলীয়া উত্তৰাধিকাৰী—ৰামানুজ, মধ্বাচাৰ্য্য, বিষ্ণুস্বামী, আৰু নিম্বাৰ্ক। এই চাৰিটি জানেদি যি নগৈ, তেন্তেলৈ গঙ্গাইদি হওক বা যমুনাইদি হওক বা বিশাল মহানদী ব্ৰহ্মপুত্ৰইদিয়েই হওক, যি যায় সি অবৈষ্ণৱ। ইযাতে গঁৰিলা লৈ চৈতন্যীয়াসকলে ব্ৰহ্মপুত্ৰ, গঙ্গা, কৃষ্ণা, কাবেৰী, গোদাবৰীয়েদি যোৱা বৈষ্ণৱসকলক অবৈষ্ণৱ বুলি পঞ্চৰাত্ৰ, যামল, পদ্মোত্তৰখণ্ড ইত্যাদি শ্লোক মাতে—

"অবৈষ্ণৱোপদিষ্টেন মন্ত্ৰেন নিৰয়ং ব্ৰজেৎ।"

আমি কওঁ কিমাশ্চৰ্য্যং অতঃপৰং। শ্ৰীমদ্ভা-গৱতে যি কয়, তাৰ সাৰ মৰ্ম্মৰ ভাওনি আমাৰ দুই-জন্য মহাপুৰুষে কি দিছে চোৱাঁ। আমি ভাগৱতৰ মূল শ্লোকবোৰ বাহুল্য হবৰ ভয়ত নিদিলোঁ। অজা-মিলোপাখ্যানত—

"হৰিনামে সৱে পাতক দহয়
জ্ঞানে বা অজ্ঞানে বোলে।
যেন হুতাশনে শুকান কাষ্টক
অতি অপ্ৰয়াসে পোলে॥"

"যেন মহৌষধি নজানি ভুঞ্জিলে
তাৰো গৰ্ভৰোগ হৰে।"
"নাৰায়ণ নাম বুলিবাৰ ফলে
নিস্তৰিল অজামিল।"

টীকা—এই অজামিলে ওপৰত উল্লেখ কৰা চাৰি সম্প্ৰদায়ৰ কোনো গুৰুৰ ওচৰত মন্ত্ৰ বা দীক্ষা লোৱা নাছিল। তথাপি তৰিল।
ৰাসলীলাত—

"দ্বেষ কৰি শিশুপালে লভিলে মুকুতি।
বুদ্ধিক নাপেক্ষে মহৌষধিৰ শকতি॥
বিষ বুলি অমৃতক পিলে যিটো নৰ।
নুহিবে কি জানা সিটো অজৰ অমৰ॥
যেনতেন মতে মাত্ৰ স্মৰোক সন্ততে।
এতেকে মুকুতি পাৱে কহিলো বেকতে॥
ব্ৰহ্মাদিৰো ঈশ কৃষ্ণ প্ৰভু ভগৱন্ত।
যাৰ হন্তে পাৱে মোক্ষ স্থাবৰ পৰ্য্যন্ত॥
নিৰপাব হৰিৰ ভকতি নুহি বৃথা।"

কৃষ্ণৰ নাম লৈ কৃষ্ণত শৰণ লৈ গজেন্দ্ৰই মুক্তি লভি বৈকুণ্ঠলৈ গল। স্থাবৰ পৰ্য্যন্তই কৃষ্ণৰ পাদ-পদ্ম স্মৰণ কৰি তেওঁৰ নাম লৈ মোক্ষ পাৱে। এইবোৰৰ কোনোৱে মাধবী বা আন তিনটা সম্প্ৰ-দায়ত দীক্ষা লোৱা নাছিল।

মূলকথা—গুৰুবাদ! গুৰুবাদ!! দোকান-দাৰী!! দোকানদাৰী!!! এই দোকানদাৰীৰ বাঢ়-বঢ়ি হৈযেই সি ভাৰতক বুৰালে। দোকানদাৰ-সকলে শাস্ত্ৰৰ প্ৰকৃত মৰ্ম্মৰ কুব্যাখ্যা কৰি শাস্ত্ৰক তেওঁলোকৰ আজ্ঞাবহ ভৃত্য কৰি লয়।

আৰু মূলকথা—শ্ৰীমদ্ভাগৱত নিৰপেক্ষ, উদাৰ, মহান আৰু সিয়েই শ্ৰীশঙ্কৰদেৱৰ প্ৰধান অৱলম্বন।

"বিষ্ণুপূজক" কিতাপ লেখোঁতাই "বাদ্য-ভাণ্ডৰ বজাই" ওকাইদাং মাৰি শ্ৰীশঙ্কৰদেৱক অবৈষ্ণৱ বুলি তেওঁৰ কলীয়াসকলক বৈষ্ণৱ বুলি ভাবিছে যে তেওঁ বৰ ডাঙৰ কাম এটা কৰিলে। শ্ৰীশঙ্কৰদেৱৰ গাত বৈষ্ণৱৰ ছাপ-মোহৰ বদি চৈতন্যীয়াই দিব নোখোজে আমি কওঁ নালাগে দিব। তেওঁলোকেই সেই নামাৱলীখন গাত মেৰাওক। আমাৰ শ্ৰীশঙ্কৰ শ্ৰীমাধৱ জগৎ-জাননী-পতিত-পাৱনী ঐকান্তিক কৃষ্ণভক্ত এইটোৱেই তেওঁলোকৰ পক্ষে যথেষ্ট। গৰুড়পুৰাণৰ পূৰ্ব্ব খণ্ডত ২১৯ অধ্যায়ৰ ১৩শ আৰু ১৪শ শ্লোকত কি কৈছে শুনা—

"সত্ৰযাজিসহস্ৰেভ্যঃ সৰ্ব্ববেদান্তপাৰগঃ।
সৰ্ব্ববেদান্তবিৎ কোট্যা বিষ্ণুভক্তো বিশিষ্যতে।
বৈষ্ণৱানাং সহস্ৰেভ্যঃ একান্ত্যেকো বিশিষ্যতে॥

ইয়াৰ অৰ্থ—সহস্ৰ সহস্ৰ সত্ৰযাজীতকৈ এজন সৰ্ব্ববেদান্ত পাৰদৰ্শী শ্ৰেষ্ঠ। কোটি সৰ্ব্ববেদান্ত-বিদতকৈ এজন বিষ্ণুভক্ত শ্ৰেষ্ঠ। আৰু সহস্ৰ সহস্ৰ বৈষ্ণৱতকৈ এজন ঐকান্তিক কৃষ্ণভক্ত শ্ৰেষ্ঠ।

চৈতন্যীয়াসকলে চুলি ফালিবলৈ আৰু আঁহ ফালিবলৈ এৰি কওকচোন, বেদ, উপনিষদ বেদান্তত ঈশ্বৰক নিৰাকাৰ, নিৰঞ্জন, নিৰ্গুণ, নিৰ্ব্বিশেষ, অথচ সাকাৰ, সবিশেষ, সগুণ, অথচ ত্ৰিগুণাতীত ইত্যাদি বোলা নাই নে? এনে স্থলত ঈশ্বৰক নিৰা-কাৰ বোলাসকলক তেওঁলোকে নাস্তিক-ফাস্তিক ইত্যাদি বুলি নিন্দা কৰে কিয়?

ঈশ্বৰ নিৰাকাৰ মানে—

"যতেক প্ৰাকৃত আকাৰ বৰ্জ্জিত
ভৈলন্ত যিহেতু হৰি।
সেহি হেতুকেসে নিৰাকাৰ নাম
আছন্ত ঈশ্বৰে ধৰি॥" —ঘে.ঘা

মুখেৰে শ্ৰুতিৰ প্ৰতি সন্মান দেখুৱাই আচলতে শ্ৰুতিৰ পথ পৰিত্যাগ কৰি আন শাস্ত্ৰৰ মতে সম্পৰ্ণকৈ চলোঁতাক কি বোলে? বেদপথ পৰিহাৰ কৰি ফুৰাসকলক মাধৱে কৈছে—

ভৈল সিটো মোৰ আজ্ঞাচ্ছেদী,
মোক দ্বেষ কৰিলেক অতি।
মোৰ ভক্ত হন্তো বৈষ্ণৱ সিটো নোহয়॥

সকাম নিষ্কাম কথা দুটা ভালকৈ চালে কথাৰ "মাৰপেচ"। গোলোকত ৰাসমণ্ডলৰ ওচৰত বহি ৰাস চাই থাকিবলৈ হেপাহ কৰাটো কামনা নহয় নে? অৱশ্যে সেইটো অতি ওখ শ্ৰেণীৰ কামনা এই মাথোন প্ৰভেদ। কৃষ্ণপ্ৰেম পান কৰিবলৈ ৰাধাভাবাপন্ন হোৱাটোও তেনে কামনা নহয় জানো?

নিমাইচাদে কৈছে, যে শঙ্কৰৰ ধৰ্ম্মৰ হেনো প্ৰতিপত্তি কমি গৈছে অৰ্থাৎ তেওঁ তাক এৰি চৈতন্যীয়া হৈছে নহয় সেই বাবে হবলা। তেৰেঁই শঙ্কৰৰ ধৰ্ম্মৰ নামঘৰ এটা ৰখুটা আছিল। তেওঁ

বেতিয়া এবি গল আৰু সেই নামঘৰ খিয় হৈ থাকে কেনেকৈ ? সিংহৰ কান্ধত মহ এটা উঠি কৈছিল, হে সিংহ! মোৰ ভৰত যদি তোমাৰ দুখ হৈছে, মই উৰি যাওঁ।

"বিষ্ণুপূজক" কিতাপৰ লেখকৰ মতে শ্ৰীশঙ্কৰদেৱৰ আৰু এটা দোষ যে ভক্তমাল গ্ৰন্থত তেওঁৰ নাম নাই। অৰ্থাৎ কথাটো এনেকুৱা মাজুলীত যাৰ সত্ৰ নাই তেওঁ মহাপুৰুষীয়া বা দামোদৰীয়া গোসাঁই নহয়। ব্ৰহ্মাবৰ্ত্তত যাৰ অৱস্থিতি নাই সি বামুণ নহয়। কলিকতাত যাৰ ঘৰ নাই সম্ভৱতঃ ভেৱানীয়াকৈ কথা ঘৰো, তেওঁ জমিদাৰ নহয়। আমি তাহানি এবাৰ এলাহাবাদৰ কংগ্ৰেছলৈ যাওঁতে কংগ্ৰেছৰ এজন বঙ্গুৰীয়া নেতাই আমাক সুধিছিল, আমি কৰ? আমি অসমৰ বুলি কলত, তেওঁ অলপ মূৰ খজুৱাই লৈ আমাক সুধিলে "অসমখন ব্ৰহ্মদেশৰ সিফালে নে ফ্ৰণ্টিয়াৰ প্ৰভিঞ্চৰ ওচৰত?"

ভক্তমাল গ্ৰন্থ দুখন। এখন হিন্দী, আনখন বঙলা। হিন্দীখনৰ গ্ৰন্থকৰ্ত্তা নাভাজী, বঙলাখনৰ গ্ৰন্থকৰ্ত্তা লালদাস। লালদাসে হিন্দীখনতে গঁথিলা লৈ তেওঁৰখন বহলাই লিখিছে। বঙলা ভক্তমাল দুভাগত বিভক্ত। এভাগ চৰিত্ৰ, আনভাগ তাত্ত্বিক। চৰিত্ৰ বিভাগ প্ৰধানকৈ নাভাজীয়ে কৰা হিন্দী ভক্তমাল আৰু তাৰ প্ৰিয়দাসে কৰা টীকাৰ পৰা আৰু তাত্ত্বিক বিভাগ, এই দুখন গ্ৰন্থ আৰু শ্ৰীহৰিভক্তিবিলাস, লঘুভাগৱতামৃত, ভক্তিৰসামৃতসিন্ধু, উজ্জ্বল নীলমণি, ষটসন্দৰ্ভ, চৈতন্যচৰিতামৃত, ইত্যাদি গ্ৰন্থৰ পৰা কৰা। বঙলা ভক্তমালৰ বয়স প্ৰায় ডেৰশ বছৰ।

দক্ষিণ ভাৰতৰ প্ৰকাণ্ড তামিল দেশৰ দিগ্‌গজ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰকসকলৰ নাম ভক্তমালত নাই। "The Alwars were practically the earliest Brahmin missionaries to the south. They propagated the devotional aspect of the Vedanta in the Tamil land, and used the language of the people with great effect." "Alwars must have lived long before this period, possibly in the opening years of the christian era." নাথমুনি, শঠগোপ, ঈশ্বৰমুনি, এইসকল ভক্তমালৰ অজ্ঞাত। নাভাজী আৰু লালদাসে বেতিয়া শঙ্কৰদেৱৰ ভু নাপালে, তেন্তে শঙ্কৰদেৱ আৰু কোন? কাৰণ তেওঁলোক ত্ৰিকালজ্ঞ ব্যাস বশিষ্ঠ। কাৰণ লালদাসে চৈতন্যৰ নগৰীয়া শিষ্য-প্ৰশিষ্য আটাইবাবেৰে নাড়ী-নক্ষত্ৰ, আদি অন্ত জানে আৰু নাভাজীৰ মনৰ আশয়ো জানি সেইবোৰ লেখিছিল। যেনে—

"শ্ৰীমান নাভাজীৰ মনেৰ আশয় জানিয়া।
গৌৰগুণ কহিনু কিছু বিস্তাৰ কৰিয়া॥"

—ভক্তমাল

এইখিনিতে আমি একেষাৰ কথা সোধোঁ যে আদি চাৰি সম্প্ৰদায়ৰ কালৰেপৰা লালদাসৰ কাললৈকে অসমত পঞ্চতীৰ্থৰ, কামাখ্যাৰ, পৰশুৰাম কুণ্ডৰ, প্ৰাগজ্যোতিষপুৰৰ কামৰূপত চকুত খাটি দিবলৈকো এজনা বৈষ্ণৱ ওপজা নাছিল নে, যাৰ নামৰ ন টোও ঘুণাক্ষৰে লালদাসৰ কিতাপ ভক্তমালত থাকিব নাপায়? শঙ্কৰদেৱৰ কথা এৰিকে দিছো, কাৰণ তেওঁ অবৈষ্ণৱ, কিন্তু তেওঁৰ আগৰ ডোখৰ আৰু পিছৰ ডোখৰ কালতনো অসমে এজন বৈষ্ণৱ জন্মাব পৰা নাছিল নে যাৰ নামটোকে দয়া কৰি লালদাসে তেওঁৰ কিতাপৰ এচুকত স্থান দান কৰি ধাৰ্ধিত কৰিব নোৱাৰিলে? যদি বোলা বৈষ্ণৱ জন্মিলেও জন্মিছিল কিজানি, কিন্তু সেইবোৰ চাৰি সম্প্ৰদায়ৰ তালিকাৰ ভিতৰত নপৰিছিল দেখি ত্ৰিকালজ্ঞ বেদব্যাস নাভাজী আৰু লালদাসে সেইবোৰক তেওঁলোকৰ কিতাপৰ অন্তৰ্ভুক্ত নকৰিছিল। ইয়াৰ উত্তৰত কওঁ যে এনেকুৱা অনেক বৈষ্ণৱৰ নাম তেওঁলোকৰ কিতাপৰ ভিতৰত জল্‌জলীয়া হৈ আছে, যি কোনো সম্প্ৰদায়ৰ ভিতৰৰ নহয়, আৱশ্যক হলে সেই সকলৰ নামৰ তালিকা আমি দিবলৈ সাজু আছোঁ। আচল কথা, লালদাস আৰু নাভাজী অসম কামৰূপৰ বিষয়ে সম্পূৰ্ণ অজ্ঞ আছিল। সেইদেখি তেওঁলোকৰ কিতাপত শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ, শ্ৰীদামোদৰদেৱ, শ্ৰীহৰিদেৱ প্ৰভৃতি মহাবৈষ্ণৱৰ নাম নাই।

সৰু লালদাস বেদব্যাসে কি কি জানে তাৰত তাৰ নমুনা অলপ দিলো—

"পৰ্জন্য নামেতে গোপ কৃষ্ণেৰ পিতামহ
শ্ৰীহট্টে জন্মিলা আসি পঞ্চপুত্ৰ সহ॥
তাঁহাৰে মহিষী গোপী নামে বৰীয়সী।
কৃষ্ণেৰ পিতামহী হন গুণেতে সৰসী॥
শ্ৰীউপেন্দ্ৰ মিশ্ৰ আৰ কমলাবতী নাম।
পঞ্চপুত্ৰ মধ্যে জগন্নাথ গুণধাম॥
নৱদ্বীপে আসি তেঁহো কৰিলেন বাস।
তাৰ পত্নী জগন্মাতা শচী ঠাকুৰাণী।
জগন্নাথ শ্ৰীল নন্দ শচী নন্দৰাণী॥
সভে কহে নিজ নিজ উপাসনা মত।
অদিতি কশ্যপ আৰ কৌশল্যা-দশৰথ॥
কেহ কহে বসুদেৱ-দেৱকী ৰোহিণী।
নহিলে কেমনে বিশ্বৰূপেৰ জননী॥
শ্ৰীল বিশ্বৰূপ বলদেৱ অৱতাৰ।
পুন গিয়া হৈলা পদ্মাৱতীৰ কুমাৰ॥"

আকৌ—"শ্ৰীমান বলবান স্বয়ং শ্ৰীনিত্যানন্দ।
তাৰ মাতা পিতা পদ্মাৱতী, শ্ৰীমুকুন্দ॥
অন্য নাম হাড়াই পণ্ডিত লোকে খ্যাত।

* *

ৰাধা কৃষ্ণ দুই তনু মিলিয়া গৌৰাঙ্গ।
গদাধৰ শ্ৰীৰাধা দ্বিধাৰূপে ৰসৰঙ্গ॥
শ্ৰীচৈতন্যচন্দ্ৰোদয় নাটকেৰ মতে।
এবং শ্ৰীৰূপ গোস্বামীৰ বৰ্ণমতে॥
শ্ৰীৰাধা শ্ৰীগদাধৰ নাহিকে সন্দেহ।
ৰুক্মিণী দেবীৰ সহ মিলি কহে কেহ॥
মহাপ্ৰভু নৃত্য কৈলা ধৰি ৰাধা বেশ।
গদাধৰ হৈলা তবে ললিতা-আবেশ॥
সকল সম্ভৱ অলৌকিক যে বিষয়।
চন্দ্ৰাৱলী কৃষ্ণ প্ৰিয়াবলীৰ প্ৰধানা॥
কবিৰাজ-সদাশিব প্ৰকাশ অধুনা।
স্বয়ং শ্ৰীললিতাদেবী স্বৰূপ গোস্বামী॥
চম্পক লতিকা ৰাধা সুখেৰ বিলাসী।
ৰাঘৱ পণ্ডিত তেঁহো গোবৰ্দ্ধন বাসী॥
ইন্দুৰো সখী চন্দ্ৰমুখী ৰাধা প্ৰিয়।
শ্ৰীমৎ কৃষ্ণদাস-ব্ৰহ্মচাৰী নাম ধেয়॥
বৃন্দাবনে বনদেবী বৃন্দা যে প্ৰধান।
তেঁহো শ্ৰীমুকুন্দ দাস খণ্ডবাসী হন॥
ব্ৰজে প্ৰাণ সখী যাৰ নাম ৰত্নাৱতী।
এবে তেঁহো গোপীনাথাচাৰ্য্য মহামতি॥
শ্ৰীৰূপমঞ্জৰী ৰূপে গুণেতে প্ৰচুৰ।
তেঁহো শ্ৰীমান ৰূপ নাম-গোস্বামী প্ৰসিদ্ধ॥
শ্ৰীৰূপমঞ্জৰী শ্ৰেষ্ঠা শ্ৰীৰতিমঞ্জৰী।
তেঁহো শ্ৰীসনাতন গুণেৰ সাগৰ॥

* *

সহস্ৰ সহস্ৰ গোপী চৈতন্য পাৰিষদ।
পুৰুষ ৰূপেতে কৰে প্ৰেমেৰ আস্বাদ॥"

ওপৰৰ এইবোৰ অৱতাৰৰ কথা ভক্তমালৰ পৰা সংক্ষেপকৈ তুলি দিলো। আৰু নৱদ্বীপ কি, তাৰে পৰা তুলি দি দেখুৱাওঁ—

"শ্ৰীমন্নবদ্বীপধামে কহে নৰ-নাৰীতে।
যতেক মহন্ত শোভ নিজ নিজ মতে॥
কেহ কহে সাক্ষাত শ্ৰীবৃন্দাবনধাম।
কেহ কহে শ্ৰীমান গোলোক অভিৰাম॥
কেহ কহে শ্বেতদ্বীপ কেহ পৰব্যোম।
কেহ অযোধ্যাদি কহে নিজ ভাব সম॥
অতএব জয় জয় শ্ৰীমন্নবদ্বীপ।
আশ্চৰ্য্য মহিমা সৰ্ব্বধামেৰ অধিপ॥
শ্ৰীমান মহাপ্ৰভু হন সৰ্ব্ব অৱতাৰ।
শ্ৰীল নৱদ্বীপ সৰ্ব্বধামময় সাৰ॥"

"এইতো ব্যাপাৰ।" এতেকে আমাৰ দুখীয়া দেশৰ দুখীয়া শ্ৰীশঙ্কৰদেৱে "বৈষ্ণৱদলেৰ ভিতৰ পাট্টা পায় কেমন কৰিয়া, কিহে নিৰানন্দ! কি বল ?" তেওঁ থাকিল বৰদোৱা, বেলগুৰি, বৰপেটা, কোচবেহাৰতে; ইফালে চৈতন্যই গোলোকৰ পৰা আটাইবোৰ গোপী নমাই আনি সেইসকলক মুনিহ শঙ্কৰ পণ্ডিত, গদাধৰ আচাৰ্য্য, নীলাম্বৰ চক্ৰবৰ্ত্তী আদি কৰি নাচি-বাগি প্ৰেমাস্বাদন কৰিলে। বুঢ়া ব্যাস, বশিষ্ঠ, দুৰ্ব্বাসা, নাৰদ গোপাকে আনি লগত ললে। আনকি বৈকুণ্ঠৰ দুৱৰী জয়-বিজয়কো নেৰিলে। সিফালে গোলোকখন আনি নৱদ্বীপত পাতি ললে; বৈকুণ্ঠৰতো কথাই নাই, সি ক্ষুদ্ৰ বস্তু। এনেস্থলত শ্ৰীশঙ্কৰদেৱ অবৈষ্ণৱ আৰু মহাপুৰুষীয়া ধৰ্ম্ম নাস্তিকতা নহৈ কি হব পাৰে, বাইজসকল। তোমালোকক মহাৰাণীৰ দোহাই দি সুধিছোঁ "কোৱা। আমাৰ কিন্তু এটি কথাত বৰ দুখ লাগিছে। চৈতন্যৰ দিনত অন্ততঃ নিতান্ত অপাৰগ পক্ষত বঙলা ভক্তমালৰ কৰ্ত্তা লালচান্দৰ দিনত আমাৰ "বৈষ্ণৱ ও বিষ্ণুপূজক" কিতাপৰ কৰ্ত্তা এই মহাবৈষ্ণৱ নিমাইচান্দ যদি থাকিলহেঁতেন তেওঁকো লালচান্দে তেওঁৰ কিতাপৰ অন্তৰ্ভুক্ত কৰি কোনো এজন অৱতাৰৰ পদত ভৰ্ত্তি কৰি নিশ্চয় থলেহেঁতেন। অৱশ্যে বিভীষণ, সুগ্ৰীব, অঙ্গদ, হনুমানৰ পদ খালি নাছিল। নাছিল নাছিল, যেনে তেনে মতে আন এটা Vacancy create কৰি বপুৰাক সুমাই লব পাৰিলেহেঁতেন। মহাপণ্ডিৎ নিমানন্দই মাথোন "Being given to understand that a Post of Hanuman or Bibhisan is lying vacant under you" ইত্যাদি এই বুলি দৰ্খাস্ত এখন চাৰি পইচা খৰচ কৰি ডাকত পেলাই দিয়াহেঁতেনেই কিজানি কাৰ্য্য সিদ্ধি হলহেঁতেন।

সামৰণিত কওঁ, আমি চৈতন্যৰ ধৰ্ম্মৰ সম্পৰ্কে এইবোৰ কথা নকলোঁহেতেন আৰু আজিলৈকে কোৱাও নাছিলোঁ। পৰৰ ধৰ্ম্ম নিন্দা কৰা আমাৰ স্বভাৱ নহয়। কিন্তু "বৈষ্ণৱ ও বিষ্ণুপূজক" লেখোঁতাই আমাক আমাৰ মহাগুৰু মহাপুৰুষক নিন্দা কৰি উত্তেজিত কৰিলে। ৰূপ সনাতনৰ নিচিনা বৈষ্ণৱৰ আমাৰ গাত নাই আৰু কোনো কালে লভিব পাৰিবৰ ক্ষমতাও হব বুলি আশা কৰিব নোৱাৰোঁ। ঘটনাটো উল্লেখ কৰোঁ। অতি সুন্দৰ ঘটনা। এজন দিগবিজয়ী পণ্ডিতে—

"দিগ্বিজয়ী এক সৰ্ব্বত্ৰ জিনিয়া।
ব্ৰজে ৰূপ সনাতন পণ্ডিত জানিয়া॥
বিচাৰ কৰিতে আইল গোসাঞিৰ স্থানে।
নিৰ্ম্মৎসৰ অহঙ্কাৰ শূন্য দুইজনে॥
বিচাৰ না কৰি জয় পত্ৰ লিখি দিলা॥"

সেই পণ্ডিতে সেই পত্ৰ লৈ জীৱ গোস্বামীৰ ওচৰলৈ গল। জীৱ গোস্বামী ৰূপৰ ভতিজাক মহাপণ্ডিত আৰু মন্ত্ৰশিষ্য।

"যমুনায় শ্ৰীজীৱ গোসাঞি স্নান কৰে।
হস্তী অশ্ব সহ দিগ্বিজয়ী গিয়া তীৰে॥

কহে ৰূপ-সনাতন বিচাৰেৰ ডৰে।
জয়পত্ৰ লিখি দোঁহে দিলা যে আমাৰে ॥
গোসাঞি শুনিয়া কিছু হইলা অসহ।
মনে মনে চিন্তে এই পণ্ডিতাভিমানী।
ৰূপ-সনাতনেৰ মহিমা নাহি জানি ॥
পৰাভৱ হৈল বুলি কৰিয়াছে গৰ্ব্ব।
তাহাৰ উচিত আজি কৰিব যে খৰ্ব্ব ॥
ইহা ভাবি কহে তুমি ৰূপ সনাতনে।
বিনে শাস্ত্ৰ প্ৰসঙ্গেতে জিনিলে কেমনে।
আমি তাহা সভাৰ ক্ষুদ্ৰ শিষ্য অভিমানী।
মোৰে পৰাভৱ কৰ তবে তোমা জানি ॥
এত কহি বিচাৰ তাহাৰ সনে কৈল।
দিগ্বিজয়ী বিচাৰে হাৰি দৰ্প খৰ্ব্ব হৈল ॥"

এই কথা ৰূপে শুনি জীৱক খংকৈ কলে—

"তুমিত বৈৰাগী হাৰি জিত তেজি হৈলে।
তবে কেন জিতিবাৰে আগ্ৰহ কৰিলে ॥

সেই ব্যক্তি হাৰি-জিত অভিমানময়।
তাহাৰ হৃদয়ে হয় জয়-পৰাজয় ॥
তুমি কেন পৰাভৱ আপনি হইয়া।
না দিলে তাহাৰ মান দীনতা কৰিয়া ॥"

জীৱই উত্তৰ দিলে—

তেঁহো কহে কৈল মোৰ গুৰুৰ নিন্দন।
বিধি অনুসাৰে তাৰে কৰিল শাসন ॥"

এই কথা শুনি ৰূপে জীৱক কলে—

"কহে আজি হৈতে তৱ নাহেৰিব মুখ।"

ইয়াৰ পিছত সনাতনৰ অনেক সাধ্য সাধনাত্তহে ৰূপে জীৱক ক্ষমা কৰিলে।

নিজৰ ধৰ্ম্মৰ ঢোল বজাই শ্ৰীশঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মত আঙুলি বাটিয়াবলৈ বাওঁতা "বিষ্ণুপূজক" কিতাপৰ লেখক আৰু তেওঁৰ লগৰীয়াসকলৰ কুশলৰ অৰ্থে কংগ্ৰেছৰ ভূতপূৰ্ব্ব সভাপতি শ্ৰীযুত শ্ৰীনিবাস আয়েঙ্গাৰৰ কথা এষাৰি এইখিনিতে তুলি দি আমাৰ এই প্ৰবন্ধৰ সামৰণি মাৰিলোঁ।—

"Look up your religion in your breasts so that it can purify and Strengthen you and give you inward joy, but don't bring it out to public as you do scented kerchief."

সামৰণিত আৰু একাষাৰ কওঁ যে "বিষ্ণুপূজক" কিতাপৰ উত্তৰ স্বৰূপে, আমি এই চাৰিটা প্ৰবন্ধ লিখিলোঁ। আশা কৰোঁ তেওঁ আৰু নিজৰ বিদ্যা ফলাই পৰৰ অন্তৰতম প্ৰদেশৰ বস্তু ধৰ্ম্মৰ ওপৰত এনেকুৱা কথন-মথন নকৰিব।

(বাঁহী: ১৭ শ বছৰ, ৪ৰ্থ-৫ম,-৬ষ্ঠ ৭ম সংখ্যা, ১৮৫০ শক)

কবিতা, উপন্যাস, নাটক, সাধুকথা, চুটি গল্প, ধৰ্ম্মতত্ত্ব আৰু সৰ্ব্বাপেক্ষা ব্যঙ্গ সাহিত্যৰ মৌচাক বান্ধি দি বেজবৰুৱাই তেওঁৰ জীৱন কালতে 'সাহিত্য-ৰথী' বুলি সমাদৃত হৈছিল। অসম ছাত্ৰ সন্মিলনত প্ৰথম অধিবেশন আৰু অসম সাহিত্য সভাৰ গুৱাহাটীত বহা ৭ম অধিবেশনত পুৰোহিতৰূপে সন্মানিত হোৱাৰ উপৰিও তেওঁক অসম সাহিত্য সভাৰ পক্ষৰ পৰা শিৱসাগৰত অভিনন্দন যচা হৈছিল। সেই সভাতে জমিদাৰ নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে তেখেতক সভাপতিৰ আসনৰ পৰা 'ৰসৰাজ' উপাধিৰে বিভূষিত কৰে।

বেজবৰুৱাৰ সাহিত্যক মাইকৈ তিনিটা ভাগত ভগাব পাৰি :

(১) লঘুভাৱৰ হাস্যৰসিক কৃপাবৰী ৰচনা,
(২) গধুৰ ভাৱৰ সাহিত্য, সমাজ, ধৰ্ম্মতত্ত্বমূলক আলোচনা
(৩) সচৰাচৰ উপভোগ্য কবিতা, গল্প, নাট উপন্যাসৰ মিশ্ৰিত ৰচনাৱলী।

তেওঁৰ সকলো লেখনীৰে অন্তঃসলিলা ফল্গু হৈছে—স্বদেশপ্ৰীতি। তেওঁৰ প্ৰথম বিধৰ ব্যঙ্গ সাহিত্যখিনি চিন্তাশীল মনৰ উৰি ফুৰা ডাৱৰৰ বিচিত্ৰ যাদুঘৰ। বেজবৰুৱা সাহিত্য বিৰাট পঠনশীলতাৰ নিদৰ্শন। তেওঁৰ লেখনীত শব্দই সপোন সাজে, ভাবে উজুতি খাই পৰে, মনে 'অ' মোৰ ওপজা ঠাই'ৰ চৌপাশে ঘূৰি ফুৰে। হাস্যৰসৰ অৱতাৰ 'কৃপাবৰ বৰবৰুৱা' বেজবৰুৱাৰ অনুপম সৃষ্টি। 'কৃপাবৰ বৰবৰুৱা জিন্দাবাদ' দি বেজবৰুৱাই আমাৰ পৰা সোঁশৰীৰে আঁতৰি গলেও, ছাঁটো দেখি গাটোৰ উমান পাব পাৰি।

সোণ সুৱগাৰ পানীত জুবুৰিয়ালে বং চৰাৰ দৰে বেজবৰুৱাৰ মৌসনা ৰচনাও যিমানে শুকান ওঁঠেৰে চুহিব, সিমানে সোৱাদ বাঢ়িব : তেওঁৰ ৰচনাৱলীয়ে চিৰকাল আমাৰ কাণৰ কাষত বিঙিয়াই কৈ থাকিব—

"আমি অসমীয়া নহওঁ দুখীয়া কিহৰ দুখীয়া হম
সকলো আছিল, সকলো আছে, নুবুজোঁ নলওঁ গম।"

(১৯১০ "চনত বাঁহী" প্ৰকাশিত হয়। ১৮৩১ শক—আঘোণ)

॥ উপন্যাস ॥

॥ গল্প ॥

* পদুম কুঁৱৰী
* সুৰভি
* সাধুকথাৰ কুঁকি
* জোনবিৰি
* কেহোঁকলি

পদ্মম কুঁৱৰী

প্ৰথম আধ্যা

প্ৰৱেশ

"O pale, pale now, those rosy lips"
—R. Burns.

ৰাতি দুপৰ হৈছে। জগত নিমাত, নিস্তব্ধ। সৰু বেজি এটি হাতৰ পৰা মাটিত পৰিলেও কাণ যায়। মাজে মাজে ফেৰুৱাৰ 'ফেউ' 'ফেউ', কুকুৰৰ 'ভুক্' 'ভুক্', ইন্দুৰ মাত আৰু ফেঁচাৰ কুৰুলীয়ে এই নিশাৰ নিফুট ভয়-লগা ৰাতিক আৰু ভয়-লগা কৰি তুলিছে। কেতিয়াবা বতাহৰ অলপ ৰিব্-ৰিৱনিত গছ্ পাতবোৰ জৰজৰাই উঠিছে। আকৌ বতাহ নাইকিয়া হলত, সেইবোৰৰ ভিতৰত সাৰ-সুৰ নাইকিয়া হৈ পৰিছে, যেন নিশাই লুটি বাগৰ দিবলৈ আকৌ ঘোৰ নৌপনিত নিমগ্ন হৈছে। চৰাই-চিৰিকতি, পশু পতং সকলোবোৰ টোপনিৰ কোলাত পৰি অচেতন; সকলোৱে দুখ-ভাগৰ, চিন্তা-চৰ্চ্চা এটাইবিলাক সেই ৰাতিৰ নিমিত্তে নিদ্ৰা গোসানীৰ আগত বলি দি নিশ্চিন্ত, নিৰুদ্বেগ আৰু নিস্তব্ধ। কিন্তু এনে সময়ত এটি প্ৰাণীৰ চকুত টোপনি নাই, মনত শান্তি নাই, অন্তৰত সুখ নাই। তেওঁ এটি ঘৰৰ এটা খোটালিত এখন শোৱা পাটীত বহি কিবা ভাৱত মগন। তেওঁৰ মুৰ-শিতানৰ ওচৰতে এটা সৰিয়হৰ তেলৰ চাকি টিমিক টিমিককৈ জ্বলিব লাগিছে। চাকিটোত যে তেল নথকা বাবে তেনে হৈছে এনে নহয়, তাত তেল আছে; কেৱল সলাকানি ডালৰ আগটো কাটি বঢ়াই দিয়া হোৱা নাই বাবেহে তেনেকৈ সি কলমুটিয়াব লাগিছে। চাকিটোৰ পৰা অলপ মান আঁৰত, সেই ফালেই বেৰত আঁৰি থোৱা এটা কাঠৰ হেঙ্গুলীয়া সৰু কৰণীত এখন হেজাৰীঘোষা পুথি। ভৰি-পথানৰ ফালে দুটা বেতৰ কাপোৰ থোৱা জপা আৰু হাতলি-পেৰা এখন বাঁহৰ চাঙৰ ওপৰত আছে। তাৰ ওপৰতে সেই চাঙৰ মুৰশিতানৰ কালৰটোৰ নিচিনা এটা সৰু আৰু এটা ডাঙৰ কৰণী। সৰুটোৰ ভিতৰত থকা বস্তুৰ এই তালিকা:—এখন সৰু আৰচী, এটা কাঠৰ হেঙ্গুলীয়া সেন্দুৰৰ টেমা, এৰখলা সেন্দুৰ-গোলা শামুক, এডাল কেঁটেলা পহুৰ কাঁইট, এডাল ৰূপৰ শলা, এটা ৰূপৰ চন্দনৰ খুৰিবাটি। ডাঙৰটো কৰণীত গোটাচেৰেক ৰ-চুঙ্গা, মাকো, কিছুমান মহুৰা (কোনোটো পকোৱা কোনোটো নপকোৱা), আৰু দুলেচামান পাটসূতা। বেৰত কাঠৰ হাকোটা দুটা আছে; তাৰে এটাত মুৰত ঘঁহা গন্ধ-তেলৰ চুঙ্গা এটা আৰু এটাত মেৰ-চৰা খনচেৰেক অৰা। বেৰৰ কাষতে মাটিত গোটা-চেৰেক উৰা-চেৰেকী পুতি থিয়কৈ থোৱা হৈছে। শোৱাপাটীৰ ওচৰতে এটা বটাত টেমি, কটাৰী আৰু তামোল-পাণ। পাটীখন সৰ্ব্বসাধাৰণ মানুহৰ যেনে-কুৱা. তেনে:—এখন হেঙ্গুলীয়া কুন্দা খুৰাৰে কঠাল কাঠৰ চালপিৰা, এখন কঠ, এখন তুলি, এখন তলত পৰা, এটা গাৰু আৰু এখন কাপোৰ। সেই খোটালিটোত কাপোৰ থোৱা দাঁড়, পিকদাণ, চৰিয়া, লোটা আৰু বাটি প্ৰভৃতি এনে ভালেমান বস্তু আছে, যিবিলাক সকলো ভাল মানুহৰ জীয়াৰীৰ শোৱা-ঘৰত থাকে। এইবিলাক বস্তু আৰু তাক থোৱা গঢ় দেখিলে যে ঘৰটিৰ গৰাকীয়নী অতি পবিত্ৰ, কোমল সজ স্বভাৱৰ ছোৱালী এনে ভাব মনত নেখে-লাই নেথাকে।

সেই ছোৱালী কোন? কেলৈ তেওঁ এই দুপৰ-ৰাতি ভাবি-চিন্তি অস্থিৰ? কিয় তেওঁ শোৱাপাটীত, শোৱাৰ পৰিবৰ্ত্তে, বহি গাৰুত আউজি, গালত হাত দি, বেৰৰ ফালে মাটিৰ প্ৰতিমাখনি যেন হৈ একেথৰে ৰ-লাগি চাই আছে? তেওঁৰ চকুৰ পৰা দুধাৰি ফটিকৰ নিচিনা পকা গোলাপীজামু যেন গালেদি কি বৈ আহিছে? কিয় বা তেওঁ থাকি থাকি একোটা হুমুনিয়াহ কাঢ়িছে? হায়! ন-কৈ ফুলা গোলাপ ফুলটি যেন ধুনীয়া আৰু মধুৰ ১৪ বছৰীয়া ছোৱালীটিৰ আজি কি হল? যাৰ মুখ সদায় প্ৰসন্ন, যি হাঁহিলে সৰিপৰা বকুল ফুলটি ঠাৰিত থকাৰ কালৰ পৰা চালে যেনে দেখি তেনে চিকুণ খ্যোৰ দুটি দুকালে দুখন গালত ওলাই

পৰে, যাৰ মাতত মৌ বৰষে, যাৰ ওঠ দুটি ডালিম ফুল যেন টিকটিক কৰে ৰঙা, দাঁত দুপাৰি যাৰ মুকুতাৰ মালা দুধাৰি যেন, যাৰ নাকৰ উপমা দিবলৈ বস্তু নাই, চেলাউৰি দুডাল যাৰ লেখনীৰে লেখা যেন, চকুযোৰ যাৰ নিৰ্ম্মলতা, পবিত্ৰতা আৰু চেনেহৰ পোহৰেৰে সদাই পোহৰ, যাৰ বহল আৰু মিহি কপালত কেকোৰা-কেকোৰ চুলি পৰি থকা দেখিলে দেখোঁতাজন মোহ যায়, যাৰ কাণ আৰু গলধনে সৈতে ডিঙিটি দেখিলে জলকুঁৱৰী বুলি ভ্ৰম হয়, এনে অপেশ্বৰীটিৰ, এনে প্ৰতিমাটিৰ, এনে পাৰিজাত ফুলটিৰ আজি কি হল? আহা! পদুমৰ নলা ডালি যেন কোমল হাতটি মূৰটিৰ ভৰত ভাঙি নেযাৰ নে? শিলেৰে বন্ধোৱা বুকুৱেও সহিব নোৱাৰা ইমান একোটা হাৰ-মূৰ ভাগি যোৱা দীঘল হুমুনিয়াহ লৰনুৰে সজা এই কোমল হিয়াৰ পৰা কেনেকৈ ওলাইছে? ভোমোৰাৰ কঁকালটিৰ নিচিনা সৰু সেই কঁকালটিয়ে তেওঁৰ বুকুৰ ভৰ সহিব নোৱাৰি হালি পৰিছে নে কি? ৰাম কলৰ পুলি যেন সেই উৰু সেই শকত নিতম্ব আজি অলস আৰু অৱশ কিয়? পদুমৰ ফুলৰ চিনেৰে শুৱলী ভৰি। চন্দ্ৰৰ চিনেৰে সুশোভিত নখ। আজি তোমাৰ পদুমৰ কি হল? চম্পাৰ কলি যেন আঙুলী! চেনেহৰ প্ৰতিমূৰ্ত্তি পদুমৰ, মৰমৰ আঁৰৰ পদুমৰ, পূৰ্ণিমাৰ জোন যেন চিকোণ পদমৰ, পবিত্ৰতাৰ মন্দিৰ পদুমৰ আজি এনে অৱস্থা কিয়? অকস্মাৎ পূৰ্ণিমাৰ জোনটিক বেজাৰ-ৰাহুৱে কিয় গিলিলে? দেৱী-দলৰ মেঘত লগা সোণৰ কলচীৰ ওপৰত হঠাৎ আজি চিন্তা-বজ্ৰপাত কিয় হল? চেনেহ প্ৰতিমাত টাঙোন লগাবলৈ শোক-পোৱাস্থঠান আজি কৰপৰা আহি ওলালহি? মৰম-পুখুৰী আজি বেজাৰ বিহেৰে ভৰিল কেনেকৈ?

প্ৰকৃতিৰ কাম্যবন আকাশ-লঙৱা পৰ্ব্বতমালাৰে মেৰখোৱা, ব্ৰহ্মপুত্ৰৰ পবিত্ৰ পানীৰে ধুতি অলেখ তীৰ্থস্থানেৰে ভৰপূৰ কামৰূপৰ প্ৰধান নগৰ গুৱাহাটীত, যাৰ প্ৰাগজ্যোতিষ নাম পৃথিৱীত প্ৰখ্যাত, যাৰ ৰজা, ষোলহাজাৰ কন্যাৰ অধিপতি পৃথিৱীৰ পুত্ৰ নৰকাসুৰ আৰু মহাভাৰতৰ যুদ্ধৰ মহাবীৰ ভগদত্ত, যি গুৱাহাটীৰ নীলাচল পৰ্ব্বতত মহামায়া ভগৱতীৰ প্ৰধান পীঠস্থান কামাখ্যা বৰ্ত্তমান, যাৰ পশ্চিম-দক্ষিণ ফালে প্ৰাচীন ৰাজ্যৰ বিজয় ঘোষণা কৰি নৰকাসুৰৰ পৰ্ব্বত নিৰ্ভয় চিত্তে ঠিয় হৈ আছে; যাৰ অগ্নি-কোণৰ সন্ধ্যাচল পৰ্ব্বতত তিনিও সন্ধ্যাৰে পবিত্ৰমন বশিষ্ঠ মুনিৰ আশ্ৰম, যি গুৱাহাটীৰ বেলতলা মাজেৰে ঠাই ষাঠি হেজাৰ শিষ্যৰে বেঢ়ি থকা মহামুনি গালৱৰ বেদধ্বনিৰে প্ৰতিধ্বনিত হৈছিল; পূজনীয় গোকৰ্ণঋষিৰ সামবেদ গীতত যি গুৱাহাটীৰ হয়গ্ৰীৱ মাধৱৰ কাণ আপ্লুত হৈছিল, এনে গুৱাহাটীত হৰদত্ত নামেৰে এজন ধনী, প্ৰতাপী, সম্ভ্ৰান্ত কায়স্থ কুলীয়া লোক ১৭১৭ শকত বসতি কৰিছিল। তেওঁৰ পৰিয়ালৰ ভিতৰত :—তেওঁৰ অতি গুণৱতী আৰু ধাৰ্ম্মিক সহধৰ্ম্মিনী, এটা ল'ৰা, এজনী ছোৱালী আৰু বীৰদত্ত নামে ভায়েক। সেই সকলৰ কথা কোৱাৰ আগেয়ে হৰদত্তৰ বিষয়ে অলপ কোৱা যাওক।

আমি যি সময়ৰ কথা কবলৈ আৰম্ভ কৰিছোঁ, সেই সময়ত হৰদত্তৰ বয়স ৫৬ বছৰ, তেওঁৰ চকুত ডেকা কালৰ তেজ, বহল বগা কপালত ওখ আশা, শকত হাত-ভৰিত দৃঢ়তা, মনত বীৰত্ব, অসীম উদ্যম, অদম্য কাৰ্য্যকৰী শক্তি, তেজ, বীৰ্য্য আৰু বল সদাই বৰ্ত্তমান। তেওঁক কেতিয়াও নেদেখা তেওঁৰ নাম নুশুনা এটা মানুহেও যদি তেওঁক হঠাৎ দেখে, সেই মানুহৰ মনতো তেওঁৰ প্ৰতি ভয়, ভক্তি আদি ভাব নহৈ নোৱাৰে। তেওঁৰ গহীন মাত, ওখ আৰু শকত আকৃতি, গধুৰ আৰু জুখি জুখি কোৱা কথা। যেনেকৈ ডাঠ মনৰ মানুহটো নহওক, দুষাৰ কথাৰে মোৰাৰ পৰা ক্ষমতা, লোকক তথা লগোৱা কাৰ্য্য, আপোনাৰ কথা প্ৰাণপণে ৰখা স্বভাৱ আদিক, দাম্পত্যপ্ৰণয়, অপত্যস্নেহ, বন্ধু-বান্ধৱৰ প্ৰতি আগ্ৰহ স্বদেশপ্ৰিয়তা, প্ৰভৃতি কোমল ভাবে গৌৰৱান্বিত কৰি থৈছিল। দুৰ্দ্দান্ত বিদ্ৰোহী মোৱামৰীয়াবিলাকৰ হাতত তেওঁৰ প্ৰিয় জন্মভূমি গুৱাহাটী লণ্ডভণ্ড নোহোৱাকৈ ৰাখিবলৈ তেওঁৰ অতি যত্ন থকাত তেওঁ দৰঙৰ ৰজা কৃষ্ণনাৰায়ণে সৈতে গোট খাই যুদ্ধ বিদ্যাত লিপ্ত থাকিব লগাত পৰিছিল দেখিয়েই, তেওঁৰ স্বভাৱত কেতিয়াবা কেতিয়াবা কৰ্কশতা, নিষ্ঠুৰতা, মই-মত আৰু কাৰো কথা নুশুনা গতি এটা দেখিবলৈ পোৱা গৈছিল, কাৰণ যুদ্ধ তামসিক কাৰ্য্য, তামসিক কাৰ্য্য তামসিক ভাবৰ জন্মদাতা, তাৰ আগত সাত্বিক আৰু ৰাজসিক ভাবৰ পূৰ্ণবিকাশ হব নোৱাৰে। সি যি হওক মুঠতে কলে হৰদত্তৰ উচ্চাকাঙ্ক্ষা আৰু আত্মাভিমান প্ৰভৃতি গোটাচেৰেক গুণ বৰ প্ৰবল আছিল, যাৰ বশৱৰ্ত্তী হৈ তেওঁ কাৰো কথা, কাৰো উপদেশ, কাৰো পৰামৰ্শ, আন কি তেওঁৰ অতি মৰমৰ ভাৰ্য্যা আৰু কন্যাৰ প্ৰাৰ্থনা, কাকুতি-মিনতি পৰ্য্যন্ত কেতিয়াবা অগ্ৰাহ্য কৰিছিল।

হৰদত্তৰ ভাৰ্য্যাৰ নাম কি আমি কব নোৱাৰোঁ, কেৱল "বধুৰ মাক" বুলি মতাটোহে আমি কব পাৰোঁ। বধুদত্ত হৰদত্তৰ পুতেক, সেইথাকেই তেওঁক বধুৰ মাক বুলি মাতিছিল। হৰদত্তক হৰদত্তৰ বৈণীয়েক ১৯ বছৰৰ সৰু। তেওঁৰ ১৭ বছৰ বয়সত বধুদত্ত ওপজে, আৰু তাৰ তিনি বছৰৰ পাছত এজনী ছোৱালী জন্মে, যাৰ কথা আমি পিছত

কৰ। এতিয়া তেওঁৰ বয়স ৩৭ বছৰ হৈছে। কিন্তু ঈশ্বৰে কি মিলাই দিছে কব নোৱাৰি, গিৰীয়েকৰ নিচিনাকৈ এওঁকো নিচেই অলপ বয়সীয়া বুলি জানি, অলপ বয়সীয়া তিৰুতাৰ নিচিনা তেওঁৰ মুখত সেই কোমলতা, সেই মধুৰতা, সেই সৌন্দৰ্য্য বিদ্যমান। এতিয়াও তেওঁৰ মাত মিহি, এতিয়াও তেওঁৰ সুৰ মিঠা, এতিয়াও তেওঁৰ কথাত সেই যৌৱন-সুলভ লালিত্য আছে। তেওঁ বাহিৰে যেনে মধুময় ভিতৰেও তেনে পবিত্ৰ, মধুময়, নিষ্পাপ। এনে সাধবী পতিব্ৰতা আৰু ধাৰ্ম্মিকা তিৰোতা প্ৰায় দুষ্প্ৰাপ্য। স্বামীত তেওঁৰ অচলা ভক্তি। ৰাতি-পুৱাই উঠি গা ধুই গোসাইঘৰ্ মছা আৰু ৰন্ধাবঢ়াদি গৃহৰ আন আন কাৰ্য্য কৰা তেওঁৰ নিত্যকৰ্ম্ম। তেওঁৰ পুতেক আৰু জীয়েকক তেওঁ আপোন প্ৰাণত-কৈও অধিককৈ ভাল পায়।

বীৰদত্ত নামে-গাৰে বীৰদত্ত। তেওঁৰ কথাত বীৰত্ব, কাজত বীৰত্ব, বুদ্ধি-সম্বিত বীৰত্ব। মুঠতে কৰলৈ গলে ৯টা ৰসৰ ভিতৰত বীৰ ৰসটো বীৰ-দত্তৰ গাত ষোল কলা আছিল। আৰু এই ৰসে তেওঁৰ ওপৰত ইমান প্ৰাধান্য স্থাপন কৰিছিল যে কৰুণ, শান্তি আৰু হাস্যৰস প্ৰভৃতি ৰসবিলাকৰ কোনোটোক ফাঁচী, কোনোটোক ৰৰণী, কোনোটোক শূলত দি তেওঁ সিহঁতৰ সঁচ মাৰিছিল। উপজিবৰে পৰা তেওঁ উদাৰ চিত্তেৰে পাঁচ বাৰ হাঁহিছে নে নাই সন্দেহৰ স্থল। দুৰ্ব্বলৰ প্ৰতি দয়া, মানুহৰ প্ৰতি মৰম, জীৱ-জন্তুৰ প্ৰতি কৰুণা, কি পদাৰ্থ তেওঁ কব নোৱাৰে। কশ্চিৎ যদি তেনে ভাব তেওঁৰ মনত ওলাব খুজিলে, বীৰভাবে (যদি বাস্তৱিক পক্ষে তাক বীৰভাব বুলিব পাৰি) হাতত টাঙোন লৈ সেইখিনিতে হাজিৰ হলহি, সেইবিলাকৰ আৰু মুৰ দাঙিবৰ সাধ্য নাই। তেওঁ অবিবাহিত আছিল আৰু কোনো কালে যে তেওঁ বিয়া কৰাব, এনে এটা ভাবে তেওঁৰ মনত দুৱাৰ মুখ পৰ্য্যন্ত খোকা নাছিল। মুঠতে বীৰদত্ত দেখিবলৈ শুৱলা পুৰুষ নাছিল।

তেওঁৰ মুৰটো বজালাওৰ নিচিনা; যদিও তেওঁ পাহ কাটি দীঘল চুলি ৰাখিবলৈ যত্ন কৰিছিল তথাপি তেওঁৰ তালুখনত ধান মেলি শুকাব পৰা। গোফ নেকুৰীৰ গোফৰ নিচিনা, বৰণ চুৱা চৰুৰ তলিতকৈ অলপহে পোহৰ; চকুদুটা সৰু, নাকটো হাকোটাটো যেন, গাল নেৰোটা-নেৰুটি হনু ওলোৱা, হাত ভৰি ৰৰ ৰৰ একোটা ইত্যাদি। বাস্তৱিক পক্ষে বীৰদত্তক হৰদত্তৰ ভায়েক বুলি কোনো-প্ৰকাৰে নেজানি। সেইবিলাক যেই কি বা নহওক, বীৰদত্তৰ এটা সংগুণ আমি উল্লেখ নকৰিলে তেওঁক অন্যায় কৰা হব। তেওঁ ককায়েকৰ কথা কেতিয়াও অমান্য নকৰে আৰু তেওঁৰ যদি সঁচাসঁচিকৈ কাৰ-বালৈ অলপ স্নেহ আছিল, সেই স্নেহ ককাইয়েক-লৈহে।

বীৰদত্তক আমি ইমানতে এৰি আমাৰ নায়িকা হৰদত্তৰ জীয়েকৰ কথা কোৱা যাওক। আমি যি সময়ৰ কথা কৈছোঁ, সেই সময়ত পদুমে ১৪ বছৰ পাৰ হৈ ১৫ বছৰত ভৰি দিছে। মাকৰ মৰম, বাপেকৰ ভাল পোৱাৰ বাহিৰে আগেয়ে যি সংসাৰত আৰু কিবা বস্তু আছে বুলি সমাজিকতো নেজানিছিল সেই পদুমৰ হৃদয় এতিয়া কিবা এটা ভাবেৰে তোল-পাৰ। আগৰ দৰে কোনো এটা কামতে সৰহ বেলি মন লগাই তেওঁ থাকিব নোৱাৰে। হেজাৰী-ঘোষা পুথি পঢ়িবলৈ পালে যি পদুমে ভাত-পানী খাবলৈ পাহৰিছিল, তাঁত-সূত বোৱা, পাঁজীকটা, দৰা-কন্যা সজা আদি কামত যি পদুমে মন-প্ৰাণ উছৰ্গিছিল, সেই পদুমৰ মন আৰু এতিয়া সেইবিলাক কামত নাই। তেওঁৰ মনো-ৰাজ্যত প্ৰবল চোৰ-ডকাইতৰ উপদ্ৰৱ হবলৈ আৰম্ভ হল। এতিয়া তেওঁ আগৰ নিচিনাকৈ বাপেক-মাকৰ আগত কথা কবলৈ সংকোচ কৰে; ককায়েক আৰু দদায়েকৰ মুখলৈ চাই কথা কব লাগিলে বৰণ সলায়। যি সমনীয়া সখীয়েকৰ আগত আগেয়ে তেওঁ হিয়া উবুৰিয়াই কথা কৈছিল, সেই সখীয়েকৰ আগত তেওঁৰ মনৰ ভাব এতিয়া তেওঁ এডোখৰ এডোখৰহে প্ৰকাশ কৰিব পাৰে। কিন্তু এনে ভাবিব নেলাগে যে পবিত্ৰতা আৰু সৰ-লতাৰ প্ৰতিমা পদুমৰ হিয়াত পাপ ৰাক্ষস প্ৰবেশ কৰিলে। এতিয়াও তেওঁৰ মুখ ধৰ্ম্ম আৰু সাধুতাৰ কান্তিৰে পোহৰ, এতিয়াও তেওঁ সৰলতা, পৱিত্ৰতা আৰু মধুৰতাৰ প্ৰতিমূৰ্ত্তি। যি পৰিবৰ্ত্তনৰ কথা কৈছোঁ, এই পৰিবৰ্ত্তন স্বাভাৱিক পৰিবৰ্ত্তন। মলয় বতাহ বোৱা, গোলাপ, কেতেকী, সেউতী, মালতীৰ ন-গোন্ধেৰে আমোদিত, কুলিৰ পঞ্চম সুৰীয়া মাত আৰু ভোমোৰাৰ গুণ্ গুণ্ ধ্বনিৰে প্ৰতিধ্বনিত, আমগছৰ কোমল নতুন কুঁহি পাতেৰে পৰিপূৰ্ণ কুঞ্জলতাদিৰে ঢকা ৰম্য যৌৱন-উপবনত লাহে লাহে ৰাজহংস-গতিৰে তেওঁ প্ৰথম প্ৰবেশ কাৰতহে তেওঁৰ ভাবৰ এই পৰিবৰ্ত্তন। এই পৰিবৰ্ত্তনে তেওঁৰ আগৰ গাখীৰ বৰণীয়া গালত সেন্দুৰ ঢালিলে, নিৰ্ম্মল চকুত প্ৰেমৰ জেউতি দিলে, শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গবিলাকত লাৱণ্য, স্বাস্থ্য আৰু সৌন্দৰ্য্য ঢালিলে। মুঠতে পদুম এতিয়া হেজাৰ গুণে পদুমী হল।

পদুমৰ ককায়েক ৰঘু। ৰঘু কুৰি বছৰীয়া উদ্ধত ডেকা; ডেকাডেঙৰ বলত বুনৰীয়া ম'হ কুৰাদি ফুৰে। মাক-বাপেকৰ কথালৈ কৰ কাণ দিয়া তেওঁৰ অভ্যাস নাই। কোনো এটা কাৰ্য্য

ভৰাতকৈ তেওঁ কৰাটো বৰ উজু পায়। তেওঁ দেখিবলৈ এক প্ৰকাৰ ধুনীয়াই বুলিব পাৰি, কেৱল বাওঁ চকুটোত অলপমান ফুল পৰা দোষ আছে। দাড়ি গোঁফ খুটিগাইছে, ভালকৈ গজি উঠা নাই। পদুমলৈ তেওঁৰ মৰম কিমান আছে কব নোৱাৰো (অধিক থাকিববে কথা), কিন্তু পদুমৰ ওপৰত হলে তেওঁ বৰ প্ৰভুত্ব চলাবলৈ বিচাৰি যুৱে।

দ্বিতীয় আধ্যায়

পদুমৰ কি হৈছে ?

"Why so pale and, fond lover ? prythee, why so pale ?"—Sir J. Suckling.

'পদুমৰ কি হৈছে ?' এই প্ৰশ্নৰ উত্তৰ আমি এতিয়া দিবলৈ কাৰবাৰ কৰোঁ।

হৰদত্ত যদিও এজন সৎস্বভাৱৰ আৰু স্বদেশ-হিতৈষী লোক, তথাপি তেওঁৰ অন্তৰত অতি উচ্চ আশা সদাই অতিপাত ৰূপে আছিল বুলি আমি আগেযে কৈছোঁ। তেওঁৰ এই আশা বহ্নিত কন্-কনীয়া শুকান খৰি পেলাই দিওঁতা হৈছে তেওঁৰ ভায়েক বীৰদত্ত। হৰদত্তই যেই কামকে কৰিম বুলি ভাবিব, বীৰদত্তই তাকেই সিংহ বিক্ৰমেৰে সমৰ্থন কৰি তেওঁক সেই কাম কৰিবলৈ দুগুণ উৎ-সাহী কৰিব। আন কি, কেতিয়াবা হৰদত্তই কৰিব নোখোজা কোনো কোনো কামো বীৰদত্তৰ উদগণিত কৰিবলৈ বাধ্য হয়। চমুকৈ কবলৈ গলে হৰদত্ত, মূৰ, বীৰদত্ত হাত। আৰু মূৰে হাতক চলাব লাগে দেখি হাতৰ ওপৰত মূৰো কেতিয়াবা সেও হব লগাত পৰে।

মোৱামৰীয়াবিলাকে আসাম উৎপাত কৰিলে, দেশত হুলস্থূল, প্ৰজাৰ সুখ-শান্তি নাই, ধন-প্ৰাণ সকলো সঙ্কট জালেৰে মেৰখোৱা কতলোক ভাগি দেশ-দেশান্তৰে গল ; মানুহৰ পথাৰৰ পকাধান পথাৰত গুচিল, ভঁৰালৰ ধান ভঁড়ালতে এন্দুৰ, শলীয়া, চোৰ, ডকাইতৰ ভোজ হল ; বাৰীৰ তামোল-পাণ জয়পাতেক্ষয় আৰু গাওঁ-ভূঁইত মহাপ্ৰলয় উপস্থিত ; চাৰিওফালে হাহাকাৰ। অৱশেষত প্ৰজাৰ আৰ্ত্তনাদৰ ধ্বনি পৰমেশ্বৰৰ সিংহাসন পালেগৈ। ঈশ্বৰৰ মন কুৱলিল ; আৰু তেওঁৰ ইচ্ছামতে ইংৰাজ সিংহই নিৰ্ভয়-হাত দুখুনী আসামৰ ফালে দাঙ্গিলে। মহাৰাজ গৌৰীনাথ সিংহ স্বৰ্গদেৱৰ প্ৰাৰ্থনা মতে, মহামতি লৰ্ড কৰ্ণওৱালিচ্ বাহাদুৰ গৱৰ্ণৰ জেনেৰেল চাহাবৰ আজ্ঞাত ১৭৯২ খ্ৰীষ্টাব্দত কাপ্তান ওৱেলেচ্ চাহাব আসামলৈ আহি মোৱামৰীয়া বিদ্ৰোহ দমন কৰে। কিন্তু পৰ ৰাজ্যত হস্তক্ষেপ নকৰা নীতি প্ৰৱৰ্ত্তক গৱৰ্ণৰ জেনেৰেল স্যাৰ জন স্যোৰ বাহাদুৰে ভাৰত-বৰ্ষৰ শাসনদণ্ড গ্ৰহণ কৰিলত ১৭৯৪ খ্ৰীষ্টাব্দত কাপ্তান চাহাব দুখুনী আসামক আকৌ দুখৰ এন্ধাৰ গাঁতত পেলাই কলিকতালৈ গুচি গল। ওৱেলেচ্ আসামলৈ অহাৰ অলপ আগেয়ে দৰঙ্গৰ কৃষ্ণনাৰায়ণ ৰজাকে সৈতে মিল হৈ হৰদত্তই মোৱামৰীয়াবিলাকৰ হাতৰপৰা কামৰূপ ৰক্ষা কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছিল। তেওঁৰ প্ৰধান ইচ্ছা এইটো আছিল যে এই সুযোগতে ঢেকেৰী বিদ্বেষী অত্যাচাৰী আহোম-বিলাকৰ হাতৰপৰা স্বদেশ উদ্ধাৰ কৰি সুশাসনৰ নিমিত্তে কোচবেহাৰৰ মহাৰাজক বা কৃষ্ণনাৰায়ণ ৰজাক দিযে নাইবা তেওঁ নিজে ৰাখে। পাছে কাপ্তান চাহাব আহি কৃষ্ণনাৰায়ণক কৈ ৫৮০০০৲ টকা কৰ বছৰি তেওঁ আহোম ৰজাক দিবলৈ নিৰ্ব্বন্ধ কৰি সন্ধি কৰাই দিলত হৰদত্তই থেক ছিগি কিছু-দিনৰ নিমিত্তে শান্ত ভাব ধাৰণ কৰিলে। কিন্তু ঢেকেৰী মানুহৰ প্ৰতি আহোমবিলাকৰ তুচ্ছ-তাচ্ছিল্য ভাৱ, অমানুষিক ঘৃণা, অতি কুৎসিৎ ব্যৱহাৰ-বিষে তেওঁৰ অন্তৰ বিষাক্ত কৰি থৈছিল। তেওঁৰ নিচিনা উন্নতমনা আৰু স্বদেশপ্ৰেমী লোকৰ পক্ষে আপোন দেশৰ লোক আৰু জাতি, কুটুম্ব প্ৰভৃতিৰ লাঞ্ছনা নিজ চকুৰ আগত দীৰ্ঘকাল চাই থকা অসম্ভৱ কথা। কতদিন কতবাৰ আপোনদেশী লোকৰ আহোম-বিলাকৰ হাতত অপমান অমৰ্য্যাদ দেখি তেওঁ চকুৰ-লো টুকিছে। পৰাক্ৰমী ইংৰাজ সৈন্য আসামৰপৰা উভতি গলত আকৌ হৰদত্ত অত্যাচাৰী আহোম ৰজাৰ বিপক্ষে সিংহবিক্ৰমে উঠিল। আকৌ তেওঁ বজ্ৰনিৰ্ঘোষ স্বৰে স্বদেশীয়সকলক আহোমৰ বিপক্ষে উত্তেজিত কৰিবলৈ ধৰিলে। আকৌ তেওঁ "কাৰ্য্যং বা সাধয়েৎ শৰীৰং বা পাতয়েৎ" মহামন্ত্ৰেৰে জাতি-ভাইসকলৰ হিয়াত আহুতি দিবলৈ ধৰিলে। আকৌ তেওঁৰ শক্তি-সামৰ্থ্য, তেওঁৰ অদম্য উৎসাহেৰে যুদ্ধৰ আয়োজনত প্ৰয়োগ কৰিবলৈ ধৰিলে।

মোৱামৰীয়া বিদ্ৰোহ দমন হোৱাৰ পাছত মহা-মন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইদেৱে ভগা দেশ ন-কৈ পাতিবলৈ লাগিল। তেওঁৰ গোটেই যত্ন উজনি খণ্ডতে ব্যয়িত হৈছিল ; গুৱাহাটীৰ ফালে তেওঁ বিশেষ মন দিব নোৱাৰিছিল। বিশেষতঃ গেল্হেলা ৰাজখোৱা বৰফুকনে (কলীয়াভোমোৰা বৰফুকন) ন-কৈ কামৰূপৰ শাসনকৰ্ত্তা হৈ অহা বাবে তাৰ অৱস্থা ভালকৈ জানিব নোৱাৰিছিল। সেই দেখি কামৰূপত নানা অন্যায় অত্যাচাৰাদি হৈছিল।

হৰদত্তই কোচবেহাৰৰ মহাৰাজলৈ এখন চিঠি লেখিলে, যে কামৰূপ, চিলাৰায় আৰু ৰঘুদেৱ ৰজাৰ দিনৰে পৰা কোচবেহাৰৰ ৰজাসকলৰ সম্পত্তি ;

শ্যাম শ্যান দেশৰ মেলেচ আহোমবিলাকৰ গৰাহৰ পৰা কামৰূপ ৰক্ষা কৰি সুশাসন কৰাটো তেওঁ-বিলাকৰ নিতান্ত কৰ্ত্তব্য। আৰু এই কাৰ্য্যত তেওঁ মহাৰাজক প্ৰাণপৰ্য্যন্ত দি সাহায্য কৰিবলৈ সাজু আছে। সম্প্ৰতি এই কথাৰ স্থিৰতাৰ নিমিত্তে তেওঁৰ সৰ্ব্বসুলক্ষণী আৰু ৰাজযোগ্য সুন্দৰী কন্যা পদুম কুঁৱৰীক মহাৰাজৰ কোঁৱৰক সমৰ্পণ কৰিছে। পত্ৰ-প্ৰাপ্ত মাত্ৰকে যেন কোঁৱৰ আহি পদুম কুঁৱৰীক শুভবিবাহ কৰি লৈ যায়।

পদুমকুঁৱৰীৰ অপাৰ্থিৱ ৰূপ-গুণৰ কথা কোচ-বেহাৰে বহুদিনৰ আগৰে পৰা শুনি লুভীয়া হৈ আছিল, বিশেষতঃ হৰদত্তৰ নিচিনা ক্ষমতাশালী মানুহ এজনৰ সাহায্যত কামৰূপ লাভ, বাঙ্গত ৰূপ চৰোৱাৰ দৰে। চিঠি পোৱা মাত্ৰকে পদুমকুঁৱৰীক বিয়া কৰাবলৈ মহাৰাজে কোঁৱৰক দোলাই-ঘোঁৰাই হাতীয়ে-মানুহে দি মহা সমাৰোহেৰে পঠাই দিলে।

সূৰ্য্যকুমাৰ বৰুৱা নামে এটি ল'ৰা, পাঁচ বছৰ বয়সতে হৰদত্তই তেওঁৰ ঘৰলৈ আনি তুলি তালি ডাঙৰ দীঘল কৰিছিল। পাঁচ বছৰতে সূৰ্য্যৰ বাপেক-মাক মৰিল। বাপেক-মাকৰ অভাৱত তেওঁক পোহ-পাল কৰোঁতা কোনো নাছিল দেখি দয়ালু হৰদত্তই আনি তেওঁক প্ৰতিপাল কৰিবলৈ ধৰিলে। তেওঁৰ বাপেক যদিও দুখীয়া আছিল, তথাপি ভালমানুহৰ ঘৰৰ; আৰু হৰদত্তৰ ঘৰত সদাই উপাসা-ভৰসা কৰি থকা মানুহ। সেইবাবে হৰদত্তই ঝেওঁ কিছু নাইকিয়া সেই মাউৰা ল'ৰাটিক বৰ মৰম কৰি অতি আদৰেৰে তুলিছিল। সূৰ্য্যয়ো হৰদত্ত আৰু তেওঁৰ পত্নীৰ ওচৰত সেই বাবে বৰ কৃতজ্ঞ আছিল আৰু আপোনাৰ ঘৰত থকাতকৈও বৰ সুখেৰে আছিল। সূৰ্য্য দেখিবলৈ বগা আৰু ধুনীয়া আছিল। তেতিয়াৰেপৰা সূৰ্য্যৰ খোৱা, থকা, ধেমালি কৰা, ফুৰা, কথা কোৱাৰ লগৰীয়ানী পদুম। পদুম যত সূৰ্য্য ত'ত, সূৰ্য্য য'ত পদুম ত'ত। পদুমে ধেমালি নক-ৰিলে সূৰ্য্যই ধেমালি নকৰে, পদুমে বেজাৰ কৰিলে সূৰ্য্যই বেজাৰ কৰে, পদুমে ভাত নেখালে সূৰ্য্যই ভাত নেখায়। মুঠতে কবলৈ গলে ৰাতিৰ ৬।৭ ঘণ্টাৰ বাহিৰে পদুম আৰু সূৰ্য্যৰ এৰা এৰি নাই। পদুমৰ মনটো সদায় কেনেকৈ আনন্দত ফুলি থাকিব সূৰ্য্যৰ এই চেষ্টা আৰু সূৰ্য্যৰ মনটো সদায় কেনেকৈ ভালে থাকিব পদুমৰ এই চেষ্টা দুইৰো ভিতৰত এনে নিৰ্ম্মল ভালপোৱাৰ দৃশ্য অতি সুন্দৰ, অতি মোহলগা। হৰদত্ত আৰু তেওঁৰ স্ত্ৰীয়ে পদুম আৰু সূৰ্য্যৰ সৰু স্বভাৱ আৰু ব্যৱহাৰত সদাই পৰম আনন্দ লাভ কৰি আছিল।

এইদৰে কিছুকাল গল। পদুম আৰু সূৰ্য্য লাহে লাহে ডাঙৰ হৈ আহিল। বয়সৰ লগে লগে তেওঁবিলাকৰ ভিতৰত মৰমো বাঢ়ি আহিল। পদুমৰ বয়স এতিয়া চৈধ্য বছৰত আৰু সূৰ্য্যৰ ১৭ বছৰত সোমাল। কিন্তু স্বাভাৱিক পৰিবৰ্ত্তনত কোনে বাধা দিব পাৰে? তেওঁলোকৰ ভিতৰত ল'ৰাকালিৰ মৰমেই ক্ৰমে এটা অভিনৱ আকৃতি ধৰিলে। আগেয়ে দুয়ো হিয়া উবুৰিয়াই কথা নেপাতিলে নহৈছিল; এতিয়া দুয়ো একেষাৰ বা দুষেৰৰ কথাতকৈ সৰহকৈ পাতিব নোৱাৰে। আগেয়ে দুয়ো মুখলৈ চোৱা-চুই কৰি দিনটো থাকিলেও মুখৰ ভাৱ নলৰিছিল, এতিয়া চকুৱে চকুৱে এবাৰ পৰিলেই দুইৰো মুখ ৰঙা লাতুৰমণিৰ নিচিনা হৈ যায়, আৰু মূৰ তললৈ দোঁ খাই পৰে। একৰামকালি এজনে এজনক ওচৰত আগত দেখিলেহে হেপাহ পলুৱাই চাব পাৰিছিল, এতিয়া এজনে এজনক আঁতৰৰ পৰা চালেহে মনৰ সুখেৰে হেপাহ পলুৱাই চাব পাৰে। আগেয়ে এজনে এজনক আগত থাকে মানে মনত ৰাখিছিল আৰু তেওঁৰ আগৰ পৰা নাইকিয়া হলে পাহৰিছিল, এতিয়া সেইজন আগৰ পৰা নাইকিয়া হলেহে তেওঁৰ তেওঁলৈ বেছিকৈ মনত পৰা হয়। আগৰ ভালপোৱা আৰু মৰম মুখৰ কথা-বাৰ্ত্তাই জনাইছিল, এতিয়াৰ ভালপোৱা আৰু মৰম স্থিৰ চকু আৰু মুখৰ বৰণ সলনিয়ে জনায়।

পদুমৰ আৰু সূৰ্য্যৰ মাজত এতিয়া ল'ৰাকলীয়া ভালপোৱা গৈ যৌৱনসুলভ ভালপোৱাৰ উদ্ভৱ। পদুমৰ ইচ্ছা, তেওঁ যেন চিৰকালৰ নিমিত্তে সূৰ্য্যৰ হাতত তেওঁৰ মন-প্ৰাণ সমৰ্পণ কৰিব। সূৰ্য্যৰ মনতো এনে ভাব হল যে তেওঁৰ হিয়া যেন একেবাৰেই পদুমক বিলাব। পদুমক যেন তেওঁৰ চিৰ দুখ-সুখৰ ভাগিনী আৰু চিৰসঙ্গিনী কৰিব। এই ইচ্ছাৰ বশৱৰ্ত্তী হৈ উভয়ে উভয়ক মনতে বৰণ কৰিলে। কিন্তু প্ৰেম, সঙ্কল্প আৰু কাৰ্য্য এইবিলাকৰ ওপৰত এজন নপতা-ফুকন আছে। সদীয়াত থাকি ধুবুৰীত প্ৰেম কৰিব পাৰি। ব্ৰহ্মকুণ্ডৰ পৰা সঙ্কল্প-ব্ৰহ্মপুত্ৰত উটি আহি উমানন্দত লাগিব পাৰি, সাতোটা নগা পৰ্ব্বত বগাই ওপৰ চাঙৰ নগাৰ কাষ পাবগৈ পাৰি। কিন্তু এই নপতা ফুকন জনৰ তাপত চাৰি আঙুল আঁতৰত থকা এজনক এজনে পাব নোৱাৰে। এইজন নপতা ফুকনৰ নাম লাজ। সময় নাই, অসময় নাই, ঠাই নাই, অঠাই নাই, এওঁ সদাই সকলোতে ডাঙৰ। এওঁৰ অশেষ কীৰ্ত্তি। গঁচাই বিছাই, হকত অনাহকত, লোকৰ বিশেষকৈ অলপ বয়সীয়া মানুহৰ ওপৰত বৰ মতা ভলোৱাও এওঁ বৰ কাজী। চুকৰ বোৱাৰী কত চেপেটা লাগি পৰি আছে, এওঁ তাতে ভুমুকিয়া-লেগে। দ-দৰা কত বিয়া কৰিবলৈ গল, এওঁ গৈ তাত উপস্থিত হল; কতকালৰ বুঢ়া পিৰীয়েক

ঘৰলৈ উভতি আহিল, বৈণীয়েক আনন্দত উৎফুল্ল; কিন্তু ইমান ধাউতিৰ বস্তু গিৰীয়েক যেতিয়া আগত উপস্থিত হৈ মৰমৰ মাতেৰে বৈণীয়েকক মাতিলে ততালিকে আমাৰ লাজ ডাঙৰীয়া কবৰাৰ পৰা আহি ঠিয় হল, আৰু বৈণীয়েকৰ মুৰ দোঁ খাই গল। হিমালয় পৰ্ব্বতৰ কাঞ্চনজংঘা টিঙক কাপ কৰি লোণসাগৰক মহী কৰি লেখিবলৈ ধৰিলেও এই মহাপুৰুষৰ গুণশীল নুচুকায়। এই লাজৰ তলতীয়া হৈয়েই পদুমে সূৰ্য্যক আৰু সূৰ্য্যই পদুমক এতিয়ালৈ তেওঁবিলাকৰ এই নতুন মনৰ ভাব ব্যক্ত কৰিব পৰা নাই, কিন্তু এই ভাব আন সাধাৰণ ভাবৰ নিচিনা নহয়। ইয়াৰ সহস্ৰ মুখ। ই নানা প্ৰকাৰে প্ৰকাশিত হয়। সেই দেখি, তেওঁবিলাকৰ মুখ জাপ খাই থকাতো, এই ভাব অন্তৰে অন্তৰে দুগো কোৱাকুই কৰিব পাৰিছিল।

এই বিলাক সুখ সমাজিকৰ মাজতে হঠাৎ পদুমৰ চেতনা হল; অকস্মাৎ তেওঁৰ মূৰত আকাশী চৰগ ভাগি পৰিল। তেওঁৰ সখীয়েক আহি হঠাতে এটা আমঠু কলা পৰি যোৱা বাতৰি তেওঁক দিলে। বাতৰি শুনি চৰগ-পৰা যেন হৈ অলপ মান খৰ হৈ থাকি তেওঁ লুটি খাই পৰিল। সখীয়েকে তেল পানী আনি মূৰত থপিয়াই দি বিচি বিচি পদুমৰ চেতনা আনিলে। জ্ঞান পাই তৰা যেন চকু দুটি মেলি লাহেকৈ পদুমে সুধিলে; "সখি, তুমি ধেমালি কৰিছাঁ নেকি? ধেমালি কৰিছোঁ বুলি কোৱা সখি।"

"মইনো এনেবোৰ কথালৈ তোমাৰে সৈতে ধেমালি কৰোনে সখি?" এই বুলি সখীয়েকে বিহাৰ আঁচলেৰে নিজৰ চকুলো টুকিবলৈ ধৰিলে। পদুমে আকৌ সুধিলে:—"একেবাৰে বিয়াৰ ঠিক কৰি চিঠি দিলেনে?" সখীয়েকে উত্তৰ দিলে:— "এৰা ঠিক কৰি চিঠি দিলে। আকৌ শুনিছোঁ বোলে ৰাজকোঁৱৰৰ বিয়াৰ নিমিত্তে তাৰ পৰা আহি-লেই, কালি আজিতে পাবহি।"

সখীয়েকৰ কথাৰ অন্তত পদুমে "সূৰ্য্য। সূৰ্য্য।" বুলি দুবাৰ মাতি আকৌ মুচ্‌কচ্‌ গল। সখীয়েকে বৰ যতনে আকৌ পদুমৰ চেতনা আনি কলে, "সখি! বিপদকালত ধৈৰ্য্য ধৰিব লাগে, অস্থিৰ হলে কি হব? লাজ কৰি থাকোঁতে থাকোঁতে জোৰ পুৰি হাত পালেহি। আইক মই সকলো কথা ভাঙ্গি-চিঙ্গি কওঁ, বোলো সূৰ্য্যইহে পদুমৰ স্বামী, সূৰ্য্যৰ বাহিৰে পদুমে কাকো নাজানে। আয়ে দেউতাৰ আগত কৈ বিয়া ভাঙ্গি দিয়ক।"

পদুম —আৰু কৰা, "সূৰ্য্য নহলে পদুম জীয়াই থাকিব নো—।" এই বুলিয়েই পদুমৰ কণ্ঠ ৰোধ হল। কটিকৰ ধাৰ যেন দুধাৰা লো চকুৰ পৰা বৈ আহিল, আৰু একো কব নোৱাৰিলে। সখীয়েকে আপোনাৰ বিহাৰ আঁচলেৰে পদুমৰ চকুলো টুকি দি পদুমক কলে, "সখি, এই কথাত পলম কৰি থাকিলে কাৰ্য্য নাশ; সেই দেখি মই এতিয়াই আইৰ ওচৰলৈ যাওঁ।" এই বুলি সখীয়েক উঠি আহি দুৱাৰ মুখ পাইছেহি, এনেতে পদুমে মিহিকৈ কলে, "আইক কবা, এই বিয়া জীয়া পদুমে সৈতে নহয়।"

পদুমৰ সখীয়েকে এইবিলাক সকলো কথা পদুমৰ মাকৰ আগত কলত তেওঁ স্বামীৰ আগত এটাইবিলাক জনাই মৰাল জীয়েকৰ হকে স্বামীক কাকুতি-মিনতি কৰিবলৈ ধৰিলে। হৰদত্তই এই কথা শুনি খঙত হতাহুতি হৈ জীয়েকৰ ফলীয়া হৈ কথা কোৱাত বৈণীয়েকক তিৰস্কাৰ কৰিলে, আৰু তৎক্ষণাত মানুহ পঠিয়াই বীৰদত্তক মতাই আনি স্বপ্নৰ অগোচৰ এই নতুন কথা বৰ্ণনা কৰিলে:—

হৰদত্ত।—"শুনিছ নে বাৰ, আমাৰ বংশধৰী জীয়াৰীৰ কীৰ্ত্তি-কলাপ! আমি চাই দিয়া দৰা তাইক নেলাগে হেনো, তাই নিজে দৰা বাচি লৈছে। চুকতে থাকি দুকতে কামোৰা এইটো সূৰ্য্য নে কি তাতহে হেনো তাই বিয়া সোমাব। তাকে আকৌ এই মাক জনীয়ে মোক কবলৈ আহিছে। ইমান সাহ ছিকৰা যেন ছোৱালী এজনীৰ! বাপেক-মাকে দৰা বিচাৰি দিব নোৱাৰে, তাই নিজে দৰা বাচিছে! ওঁ—বাৰু অ, বেচ কথা শুনিলো! শলাগোঁতে শলাগোতে শলাগাখি লাগিল! দিনে ৰাতিয়ে যোৱা পুথি পঢ়া, গান গোৱা, বাপেক-মাকক ভক্তি কৰাৰ এই ফল! এই বৰ-ৰা ঘৰৰ ন'ৰাৰ কথমানৰে পৰা তুলি তাতি ডাঙৰ দীঘ। ধৰিলো, ই যে এনেটো কৰিব তাক কোনে জানিছিল? স্বভাব-চৰিত্ৰ ভাল বুলি জানিলে আৰু বাহিৰে দেখিব শুনিব ভাল হলেও যে মানুহক চিনা টান এতিয়াহে বুজিলো।"

বীৰদত্ত।—"হেঃ, হেঃ, বুজিলে নে এতিয়া? ইমান সোনকালে যে বুজিব আশা নাছিল। আপুনি-য়েই গুচালে সেইজনী ছোৱালী। সুন্দৰ হৈছে এতিয়া। মৰম দেখুৱাবাহে দেখুৱাব; মোৰ পদুমহে, মোৰ মইনাহে, মোৰ অনুকহে, মোৰ ভুচুকহে, ভেটুলিৰ ছালহে। ল'ৰা-ছোৱালীক বাঘৰ চকুৰে চাব দিছে! গুলাওঁতে এভুকু, গোলাওঁতে এভুকু—তেহে ল'ৰা-ছোৱালী ল'ৰা-ছোৱালী হৈ থাকে। আপোনাৰ আৰু বোৰ মুখতহে 'পদুম ভাল, পদুম ভাল,' আনি হলে যে 'পদুম নহয় যমকাল' তাক কেতিয়াবাব পৰা জানো। বোক কওক, যাওক নব নাৰি গৈ পদুমীক নাল লগা চুনা এটা দি আহক গৈ। আপোনাৰ সূৰ্য্য কুমাৰ এতিয়া বেয়া হলনে? কিয় বেয়া হব?

এনে কথা কত আছে ? এনে সৎ স্বভাৱৰ, এনে সুন্দৰ ল'ৰা কত আছে দেহি ? আৰু কৰবাৰ ৰজা-জীৰী এই দেশত আজিকালি পাবলৈ নাই নে ? গোটাচেৰেকমান আনি তুলি লৈ পদুমেৰে সৈতে ধেমালি-ধুমুলা কৰিবলৈ লগ লগাই দিয়ক।"

হৰদত্ত।—"সেইবোৰ কথা কলে কি হব ? এতিয়া কি কৰিম, সেইটোৰ হে বুদ্ধি দিব লাগিব। যি হল হল। গিফালে কোচবেহাৰৰ ৰাজকোঁৱৰ আহিব। কাইলৈ আহি পাবহি ; এইখন গোলমাল শুনি তেওঁ বা কি বুলিব, আৰু আন মানুহে বা কি বুলিব ? মোৰ বাৰেপাচি শত্ৰু, সেইবিলাকেতো মোৰ ছোৱালীৰ মিছাই-সঁচাই বদনাম ৰটিব।"

বীৰদত্ত।—"কি কৰিম, কি কৰিম ; এইটো কথালৈকে নো ইমানকৈ ভাবিব লাগিছে নে ? লালুকীলৈ আকৌ তপত পানী লাগিছে। কাণখনত ধৰি সূৰ্য্য নে সূৰ্য্য সেইটোক আপোনাৰ ঘৰৰ পৰা উলিয়াই দিয়ক, পদুমক ভালকৈ দাবি গোটাচেৰেক লগাই দিয়ক, সকলো ঠিক হৈ যাব।"

এই কথা শুনি হৰদত্তৰ ঘৈণীয়েকে চকুলো টুকি কলে, 'সূৰ্য্যক খেদিলে মোৰ পদুমীক আৰু নাপাওঁ।"

হৰদত্ত।—"তই ইয়াৰ পৰা গুচ। মোৰ যি মন যায় তাকে কৰিম। 'পদুমীক নেপাওঁ' পদুমী কলৈ যাব ? বাৰু কলৈ যায় যাওকচোন চাওঁ।"

স্বামীৰ এই কথা শুনি পদুমৰ মাক কান্দি লাহে লাহে ভিতৰলৈ গুচি গল। হৰদত্তই সেই দিনাৰ ভিতৰতে সূৰ্য্যক তেওঁৰ ঘৰৰ পৰা ওলাই যাবলৈ আৰু পদুমেৰে সৈতে কেতিয়াও দেখা নকৰিবলৈ আজ্ঞা দিলে। অনামেঘত বজ্ৰাঘাতৰ নিচিনা এই নিষ্ঠুৰ কথা কাণত পৰিহে আজি পদুম ইমান ব্যাকুল, অস্থিৰ, চিন্তাত নিমগ্ন, আৰু টোপনি নাইকিয়া।

তৃতীয় আধ্যায়

বিদায়

"Since there's no help, come let us kiss and part." —M. Drayton.

গছপুলিটিৰ পৰা একন্মাই দিয়া ভয় পৰা লতাডালি যেন হৈ, পৰি থকা পদুমৰ শোৱা-খাটালিলৈ আমি আকৌ যাওঁ। পদুম কত কি চিন্তাত মগ্ন। এহেজাৰ সাপে খোৱা সমান শোকে-বিষে আজি পদুমক জৰ্জ্জৰিত কৰিছে। কেতিয়াবা ফেকুৰি ফেকুৰি কান্দি আকৌ তৎক্ষণাৎ নিতাল মাৰিছে। কেচুৱাৰ পৰা যতে মন-প্ৰাণ সমৰ্পিছিল, হঠাৎ আজি তেওঁৰে সৈতে চিৰ-বিচ্ছেদ। অকল বিচ্ছেদেই নহয়, তেওঁক দিয়া মন-প্ৰাণ তেওঁৰ পৰা নিৰ্দ্দয় আৰু অকৃতজ্ঞ ভাবে বলেৰে কাঢ়ি আনি আন এজনক দিব লাগে। পদুমৰ নিচিনা অবলাৰ পক্ষে এনে বল সম্ভৱ নে ? পদুমৰ নিচিনা কোমল আৰু মৰমীয়াল হৃদয়ৰ পৰা এনেটো কাৰ্য্য আশা কৰিব পাৰি নে ? পদুমৰ নিৰ্ম্মল প্ৰেমত এনে মলিৰ ঠাই হব পাৰে নে ? সূৰ্য্যকুমাৰ পদুমৰ হৃদয়-সৰোবৰৰ একোটি পদুমৰ একোটি ভোমোৰা ; সেই ভোমোৰাক এৰি পদুম কেনেকৈ থাকিব ? সেই ভোমোৰাটিৰ বিহনে পদুম শুকাই যাব যে। সেই ভোমোৰাটিৰ গুণ্ গুণ্ সঞ্জীৱনী মন্ত্ৰ কাণত জপি নাথাকিলে পদুমৰ প্ৰাণ পদুমত থাকিব নোৱাৰে যে ! সেই ভোমোৰাটিক পদুমৰ পৰা নিষ্ঠুৰতাচৰণ কৰি তুমি আঁতৰ কৰা, তুমি ভোমোৰাকো হেক্সৰাবাঁ, পদুমকো হেক্সৰাবাঁ। হাঁয় ! দুটি বস্তু একেটি হৈ এই সংসাৰৰ এচুকত জীযাই থাকিব খোজে, তাত তুমি কিয় প্ৰতিবন্ধক হোৱা ? দুটি প্ৰাণীয়ে এই সংসাৰত ভাল পোৱা-পুই কৰি প্ৰাণত প্ৰাণ সপি জীয়াই থাকিব খোজে, কাৰো অপকাৰ নকৰে, কাৰো অন্যায় নকৰে, কাকো একো নোখোজে, কাকো একো নিদিয়ে, তাত তুমি বিধি-পথালি কৰা কিয় ? এই পৃথিবীৰ চুক একণৰ গছ এজুপিত এজুৰি কপৌ-কপৌৱনীয়ে দিনে ৰাতিয়ে মুখা-মুখীকৈ চাই জীৱন ধাৰণ কৰি থাকিব, তোমাৰ ধান নেখায়, তোমাৰ সৰিয়হ নেখায়, আনকি তোমাৰ সৰি-পৰা খুদ চাউলটিতো ঠোঁট নলগায়, মাজে মাজে দুয়ো দুয়োলৈ চাই এষাৰ বা দুষাৰ 'কুৰু' 'কুৰু' কৰি মৰমৰ গীত গাব তাক তুমি কাঁড়িব খোজা কিয় ? সিহঁতৰ 'কুৰু' 'কুৰু' তোমাৰ কাণত ভাল নেলাগে, সিহঁতে সেই স্বৰে ভাল পোৱাত তুমি বেয়া পোৱা, তোমাৰ ক্ষমতা আছে তুমি সিহঁত দুইকো চকুৰ আগৰ সেই গছ জুপিৰ পৰা উৰি যাবলৈ দিয়, সিহঁত কোনোবা জন-প্ৰাণী শূন্য অটব্য অৰণ্যলৈ গুচি যাবগৈ, দুয়ো দুইকো ভাল পাই থাকিব। তুমি হাত দিবলৈ এই সংসাৰত অলেখ বস্তু, অখেল কাম আছে ; এজন ৰজাক ভাঙ্গিব পাৰাঁ যদি আন এজনক পাতাঁ, এঠাইৰ পৰা এখন নগৰ তুলি নি আন এঠাইত থাপাঁগৈ, এখন যুঁজলৈ গৈ তোমাৰ গাত যিমান বল আছে, সিমান বল দেখুঁৱা, এফলে বৈ থকা এখন নৈক আনফালে বোওৱাঁ, কিন্তু কাৰো কৈ মাতিছোঁ, এই নিৰ্দ্দোষী পখী জুৰিৰ সুখত আৰু জীৱনত তুমি ব্যাঘাত নিদিবাঁ। এটিৰ বুকুৰ পৰা এটিক তুমি কাঢ়ি নিনিবাঁ। চোৱাঁ চান, তোমাৰ ধন আছে, সম্পত্তি আছে, মান আছে, সংসাৰ আছে, বন্ধু আছে, বান্ধৱ আছে, কত কি আছে ; কিন্তু এই দুটিৰ মানত এই সংসাৰত

একো নাই, কেৱল এটিৰ ধন এটি। এটিৰ সৰ্ব্বস্ব আনটি। সেইটি মাত্ৰ ধনেৰে সিহঁতক বঞ্চিত কৰিলে সিহঁতে কি লৈ বুকু জুৰাই থাকিব? তোমাক সিহঁতে ধন নোখোজে, তোমাৰ ওচৰত সিহঁতৰ কেৱল এটি ভিক্ষা,—দুয়ো যেন জীয়াই থাকে মানে এৰা-এৰি নোহোৱাকৈ থাকিবলৈ পায়। এই সামান্য ভিক্ষাটি দিবলৈ তুমি কুণ্ঠিত নহবা। এই মুঠি খুদ চাউল—প্ৰাণী দুটিক ভয়ঙ্কৰ একালৰ হাতৰ পৰা ৰাখিব। —কিন্তু হায়! কি বিষম সংসাৰ! এই প্ৰাৰ্থনা, এই কাকূতিলৈ কোনে কাণ কৰিব? জালত পৰা হৰিণ-হৰিণীৰ কাতৰ মিনতিত পমি যোৱা হিয়া কেইখন আছে?

পাঠক! পদুমে এই চাটি-ফুটি অৱস্থাত থাকি এবাৰ খপ্‌কৰে হাত মেলি মূৰশিতানৰ ফালে বেৰত আৰি থোৱা কৰণীটোৰ পৰা হেজাৰীঘোষা পুথিখন আনি মেলি খোকাখুকি কৈ লাহে লাহে জাত লগাই এই ঘোষা ফাঁকি গালে—

লেচাৰী

"ক্ষুদ্ৰ সুখে বহু আশা কৰি, ভৱ কূপে জীৱ আছে পাৰ,
কাল সৰ্পে দংশি হৰিলে চেতন তাৰ।
মোক্ষৰূপ তয়ু বাক্যামৃত, কৃপাযে সিঞ্চিযা প্ৰতিনিত,
দযাময কৃষ্ণ কৰিযো মোক উদ্ধাৰ॥"

গায়েই দীঘল হুমুনিয়াহ এটি কাঢ়ি আকৌ পুথিখন জপাই থলে। কিয় হঠাৎ এই ঘোষা পুথি মেলিছিল, কিয় বা আকৌ জপাই থলে পদুমেই জানে। বোধকৰোঁ মনত অলপ শান্তি পাবৰ আশাৰেহে তেনে কৰিছিল। কিন্তু মন চিন্তা-ধুমুহাত উৰি কৰবালৈ গল, সেই দেখি আকৌ পুথি জপাই থলে।

ইফালে সূৰ্য্যকুমাৰৰ কি হল, পাঠক! শুনক। বিনামেঘত বজ্ৰাঘাতৰ নিচিনা হৃদয়-ফাটিযোৱা এই কথা যেতিয়া তেওঁৰ কাণত পৰিল, যে পাঁচ বছৰৰ পৰা যাৰ মৰম স্নেহেৰে তেওঁ ডাঙৰ-দীঘল হৈছে, এনে হৰদত্তই তেওঁক তেওঁৰ ঘৰৰপৰা সেইদিনাই ওলাই যাবলৈ নিষ্ঠুৰ আজ্ঞা দিছে; যেতিয়া তেওঁ শুনিলে, যে তেওঁৰ প্ৰাণতকৈও মৰমৰ পদুমক—যি প্ৰতিমাটিক তেওঁ তেওঁৰ হৃদয়-সিংহাসনত থাপি মৰম-নৈবেদ্য, প্ৰেম-ফুল আৰু আত্মবলি দি দিনে-ৰাতিয়ে পূজিছিল—বিচ্ছেদ নৈৰ দ ডুবিত একেবাৰেই উটাবলৈ তেওঁৰ অশেষ ভক্তি আৰু কৃতজ্ঞতাৰ পাত্ৰ হৰদত্তই তেওঁক আদেশ কৰিছে, তেওঁ মূৰ্চ্ছিত হৈ মাটিত ধাচ্‌ কৰে পৰিল। জ্ঞান পাই জানিলে তেওঁৰ বহুত দিনৰ সুখ-সমাজিক এতিয়া ভাগিল। এতিয়া তেওঁ বুজিলে যে এই সংসাৰত তেওঁ বাপেক-মাক আৰু বন্ধু-বান্ধৱ নাইকিয়া মাউৰা ল'ৰা। এতিয়াহে তেওঁৰ ধাৰণা হল যে, এই সংসাৰ কেৱল এটা কোৱাভাতুৰী। এতিয়াহে সূৰ্য্যকুমাৰৰ মনত এই ভাব খেলালে যে নিৰাশা, দুখ আদি কিছুমান পদাৰ্থ এই বিচিত্ৰ সংসাৰত ঈশ্বৰে মানুহলৈ চৰ্জন কৰিছে।—সূৰ্য্য! দুখ, শোক, নৈৰাশ, তাপ, চিন্তা কাক বোলে, এইবিলাক জনাৰ আগেয়ে তোমাৰ মাৰা-বাপেৰাক তুমি হেৰুৱালা! যেতিয়া সেই-বিলাক জানিব পৰা হলা, তেতিয়া হৰদত্ত আৰু তেওঁৰ ধাৰ্ম্মিক, মৰমীয়াল সহধৰ্ম্মিণীয়ে স্নেহ-ডোকা মেলি এইবিলাক বদ-বতাহ বৰষুণৰ পৰা তোমাক ৰাখিছিল, ডোকাৰ বাহিৰত এই সংসাৰত কি ভয়ানক প্ৰলয় দিনে-ৰাতিযে হব লাগিছে তুমি কব নোৱাৰি-ছিলা, ডোকাৰ ভিতৰত নিৰাপদে, নিশ্চিন্তে তোমাৰ বুকুত পদুমে মূৰ সুমাই, পদুমৰ বুকুত তুমি মূৰ সুমাই স্বৰ্গ-সুখ অনুভৱ কৰি দিন নিয়াইছিলা। এতিয়া যেতিয়া তেওঁবিলাকে নিৰ্দ্দয়ৰূপে সেই ডোকা চপাই নিলে, হঠাৎ সংসাৰৰ এই নতুন দুখ-যন্ত্ৰণা তোমাৰ মূৰত পৰিল। তুমি নেজানিছিলা যে সুখ-টোপনিৰ কোলাত সুখেৰে শুই থাকোঁতে হঠাৎ কোলাৰ পৰা লাহেকৈ দুখ-নৈৰ মাজত পৰিবা। সূৰ্য্য! স্থিৰ হোৱা, ধৰ্ম্মত মতি ৰাখি সদাই সঁচা বাটত থাকি চলা, ঈশ্বৰৰ যি ইচ্ছা, সেই মতেই কাৰ্য্য হব। সংসাৰ-বিষ-সৰ্পৰ এইটো প্ৰথম খোটহে, এনে কত খোট্‌ সহিব লাগিব।

সূৰ্য্যকুমাৰ অলপ সুস্থ হৈ হৰদত্তৰ ঘৰৰ পৰা যাবলৈ ওলাল। কিন্তু প্ৰাণৰ পদুমক এই জন্মলৈ শেহ বিদায় নোলোৱাকৈ তেওঁ কেনেকৈ যায়? পদুমৰ সেই সৰল, পবিত্ৰ আৰু প্ৰেমময় মুখখনি এই জন্মৰ নিমিত্তে এবাৰ চাই নোলোৱাকৈ তেওঁ কেনেকৈ যায়? পদুমৰ চকুৱে চকুৱে এবাৰ চাই সেই চকুৰ পৰা চেনেহৰ পোহৰ অলপ আনি তেওঁৰ চকু পোহৰাই নললেতো তেওঁ ওলাই যাবলৈ বাট নেদেখে। এই জীৱনৰ নিমিত্তে পদুমৰ মুখৰ অমিয়া মাত এটুপি বাটৰ সম্বল কৰি লৈ নগলেতো তেওঁ বাটত চকেধৰি মৰিব। "পদুম! মই যাওঁ" এই বুলি শেষ বিদায় একেষাৰ নোলোৱাকৈ গলে তেওঁৰ হিয়া ফাটি চিটাচিট হব। যাবৰ সময়ত পদুমৰ ডিঙিত ধৰি চাইটোপামান চকুৰ পানী পেলাবলৈ নেপালেতো সূৰ্য্যৰ চকু ঘোলা হব। কি কৰে? সূৰ্য্যকুমাৰ নিৰুপায়, পদুমৰ ওচৰলৈ তেওঁ যাব নোৱাৰে, হৰদত্তৰ মানা; সেই দেখি ৰাতি মানুহ-দুনুহ শুই নিতাল মাৰিলে পদুমৰ ওচৰলৈ মনে মনে গৈ বিদায় লৈ গুচি যাবলৈ তেওঁ স্থিৰ কৰিলে।

পদুম আমি ওপৰত কোৱা অৱস্থাত গোৱাপাটীত পৰি কান্দি-কাটি ধৰফৰাই আছে, এনে সময়ত সূৰ্য্যকুমাৰ লাহে লাহে হাতত-সাৱে ভৰিত-সাৱে

এখুজি দুখুজিকৈ আছি তেওঁৰ সেই ঘৰৰ দুৱাৰ মুখ পাই বৈ লুকাই তেওঁৰ এই অৱস্থা চাই থৰ হৈ আছে। দুৱাৰ খন এধা জপোৱা হৈ আছিল। পদুমৰ গাত শনিপাত, কি তেওঁ দুৱাৰ মাৰিবলৈ মনত ৰাখিব পাৰে? এই দুপৰ ৰাতি হঠাৎ এজনী যুৱতী কন্যাৰ শোৱা-খোটালিত অকলৈ তেওঁ কি সাহেৰে বা কি বুলি সোমাব, এই কথা ভাবি সূৰ্য্য-কুমাৰ অতি শঙ্কিত হৈ দুৱাৰমুখত ৰৈ আছে, ভিতৰলৈ সোমাবলৈ বা বাহিৰৰ পৰা কোনো সঁহাৰি দিবলৈ তেওঁৰ সাহ জন্মোৱা নাই। বিশেষত, পদুমৰ এই অৱস্থা দেখি তেওঁ কি কৰিব একো থিৰ কৰিব নোৱাৰি চৰণ পৰা মানুহৰ নিচিনা হৈ খিয় হৈ আছে।

পদুমে যোৱা পুথি সামৰি থৈ ঘোৰ চিন্তাত পুনৰ নিমগ্ন হোৱাৰ কথা আমি কৈছোঁ। হঠাৎ তেওঁ "সূৰ্য্য" "সূৰ্য্য" বুলি দুবাৰ অতি কাতৰ স্বৰে মাতিলে। এই মাত শুনি আৰু সূৰ্য্যকুমাৰ ধৈৰ্য্য ধৰি থাকিব নোৱাৰি খপ্ কৰে "পদুম, পদুম, কি হল? মই আহিছো" এই বুলি আগত ওলাল গৈ। অকস্মাৎ দুপৰ নিশা সূৰ্য্যকুমাৰৰ আগত উপস্থিত হোৱা দেখি পদুম বিচ্ৰুতি হৈ সূৰ্য্যৰ ফালে চাই চিত্ৰৰ পুত্তলীৰ নিচিনা ৰ লাগি গ'ল। সূৰ্য্য আগবাঢ়ি গৈ সুধিলে, "পদুম, তোমাৰ কি হৈছে?" পদুমৰ সকলো চিন্তা চঢ়া এক মুহূৰ্ত্তৰ নিমিত্তে পলাল, লাজত বন্ধা পৰি মূৰ তললৈ দোঁ খালে। ধন্য লাজ, ধন্য তোৰ ক্ষমতা! যি পদুম সূৰ্য্যৰ পিয়াহত অণ্ঠে-কণ্ঠে শুকাই মৰোঁ মৰোঁ হৈছিল, যি পদুম এই জীৱনত আকৌ এবাৰ সূৰ্য্যক দেখা পালে হেপাহ পলুৱাই মনৰ সকলো কথা কৈ লম বুলি ভাবিছিল, তেনে পদুম এতিয়া সূৰ্য্যক হাতত পাই লাজত মুখেৰে মাতিব নোৱাৰা হল!! লাজ! এই সংসাৰত তয়েইহে সকলোতকৈয়ো ডাঙৰ! সূৰ্য্যকুমাৰৰ চকুৰ লো সৰ্ সৰ্ কৰে বৈ পৰিবলৈ ধৰিলে। পদুমৰো চকুৰ লো চকুত থাকিব নোৱাৰি সেই লোৰে লগে লগে বৈ গ'ল! বহুত বেলিৰ মূৰত সূৰ্য্যকুমাৰে আপোনাৰ গাৰ চেলেং কাপোৰৰ আগেৰে নিজৰ আৰু তেওঁৰ প্ৰাণৰ পদুমৰ চকুৰ লো টুকি দি লাহে লাহে কবলৈ ধৰিলে:—"পদুম, অতদিনৰ মূৰত তোমাৰে মোৰে এৰাএৰি হল! বিধতাই আমাক আশাত নিৰাশ কৰিলে। বৰ আশা আছিল যে তুমি মোৰ হবা, মই তোমাৰ হম, কিন্তু সেই আশা-বান্দি চলত তল গল! আমাৰ মন-আকাশত পতা চাং হঠাৎ হুকফ্ কৰে ভাগি পৰিল। পদুমক আৰু মোৰ পদুম বুলি সূৰ্য্যই কব নোৱাৰে। আজি ৰাতিৰ ভিতৰত মই তোমাক চিৰকাললৈকে এৰি গুচি যাব লাগিব। মোক এতিয়া তুমি শেষ বিদায় দিয়া। যদি এই পৃথিৱীত সূৰ্য্য জীয়াই থাকে, তেন্তে তেওঁ মাজে সময়ে লোকৰ মুখে পদুম সুখে আছে বুলি শুনিলেই তেওঁৰ জীৱন সাৰ্থক বেন ভাবিব! ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা, যেন তুমি ৰাজৰাণী হৈ অশেষ সুখত কাল নিওৱাঁ। এতিয়া তুমি মোক এই জন্মলৈ বিদায় দিয়া।" এই কথা কেষাৰ শুনা মাত্ৰকে পদুমে "সূৰ্য্য! সূৰ্য্য! কি নিদাৰুণ কথা!" বুলি কান্দিবলৈ ধৰিলে আৰু মূছ্ কছ্ গল, সূৰ্য্যকুমাৰে কাপোৰৰ আগেৰে অলপ অলপকৈ বিছি দিলত বহুত বেলিৰ মূৰত আকৌ তেওঁৰ চেতনা আনি কান্দি কান্দি কবলৈ ধৰিলে—"হয়! মই কি ক্ৰূৰ, কি পাষণ্ড, কি নিষ্ঠুৰ, পদুম ক্ষমা কৰা। এনে কঠোৰ কথা! হা ঈশ্বৰ!" এই বুলি সূৰ্য্যইও কান্দিবলৈ ধৰিলে। অলপ বেলিৰ মূৰত কান্দোন সামৰি সূৰ্য্যই কলে— "পদুম, যদিও মই তোমাক এৰি যাবই লাগিব, তথাপি মোৰ এই শৰীৰ থাকে মানে মোৰ হৃদয় খাটোলাত তুমিয়েই দেবী! মোৰ আৰু সৰহ কথা মুখৰ পৰা নোলায়। এতিয়া তুমি মোক বিদায় দিয়া।" এই কথা কৈ সূৰ্য্যকুমাৰে লাহেকৈ উঠি যাব খোজোঁতে পদুমে তেওঁৰ হাতটোত ধৰি আকৌ বহুৱাই আপোন মুখত সেই হাতটো লগাই কিবা কব খুজিছিল, কিন্তু কব নোৱাৰি কান্দিবলৈ ধৰিলে। অলপমানৰ পিছত—"প্ৰাণনাথ, পদুমে সূৰ্য্যৰ বাহিৰে কাকো নেজানে। সূৰ্য্যই পদুমক এৰিলে পদুমে কি লৈ জীয়াই থা—?" পদুমৰ মুখৰ আৰু মাত হৰিলে। শোকে খুন্দামাৰি ধৰিলে। সূৰ্য্যই সেই ৰাতিৰ ভিতৰতে হৰদত্তৰ ঘৰৰ পৰা প্ৰস্থান কৰিলে।

চতুৰ্থ আধ্যায়

এটি ফুল

"There is a garden in her face
Where roses and white lilies blow;
A heavenly paradise is that place,
Wherein all pleasant fruits do grow;
There cherries grow that none may buy,
Till Cherry-Ripe themselves do cry"

B. Johnson.

পোকে নোখোৱা, গোন্ধত মলমলাই থকা আৰু এটি ন ফুল চাবলৈ আমি এতিয়া যাওঁ। এই অকলশৰীয়া কোমল ফুলটি লো-যেন টান বুঢ়া নাহৰ গছ এজোপাত অকলৈ ফুলি আছে। ওচৰত কুঁহি পাত নাই, ভোমোৰা নাই, কুলি নাই আৰু মলয়া বতাহ নাই। তথাপি ফুলটিৰ মুখত সদায় হাঁহি, সদায় আনন্দ, সদায় সন্তোষ। ফুলটি আপোনাতে আপুনি মজি, আপোনাৰ গোন্ধত আপুনি মতলীয়া

৮. আপোনাৰ প্ৰেমতে আপুনি ভোল গৈ আছে। ফুলটিৰ এই আত্মাৰাম ভাৱ এনে বৰনীয়, যে কেৰ্-কেৰীয়া সেই নাহৰ গছ জোপাযো তাৰ গুণত বশীভূত হৈ তাক দিনে ৰাতিয়ে বুকুত বান্ধি লৈ আছে।

কেৰকেৰীয়া গছৰ পৰা নো কোমল ফুলৰ কেনেকৈ জন্ম হল? পৰ্ব্বতৰ বুকুৰ পৰানো নৈ কেনেকৈ ওলালে? পৰ্ব্বতৰ বসাল কোমল ভাগটো গোটা খাই একে ঠাই হৈ নৈ হল। নীৰস পৰ্ব্বত শুকাই টান হল। নাহৰ গছৰ কোমল অংশ ফুলত পৰিণত হল; বাকী বল কেৰ্কেৰীয়া কাঠ।

আমি যি সময়ৰ কথা কৈছোঁ, সেই সময়ত গেন্ধেলা ৰাজখোৱা বৰফুকন বা কলীয়া ভোমোৰা বৰফুকন গুৱাহাটীৰ শাসনকৰ্ত্তা আছিল। বৰফুকন যদিও বহল মনৰ আৰু বহুদৰ্শী মানুহ আছিল, তথাপি নিষ্ঠুৰ স্বভাৱ আৰু কিছুমান স্বজাতীয় দোষে তেওঁৰ যশ কলীয়া ভোমোৰাতকৈও কলীয়া কৰি থৈছিল। আপোন অভিপ্ৰায় সিদ্ধিৰ নিমিত্তে তেওঁ কৰিব নোৱাৰা কাম এটা কি দুটা হে আছিল। গুৱাহটীয়া মানুহৰ প্ৰতি জাতীয় বিদ্বেষৰ ভাগ তেওঁ আনবিলাক আহোমৰ সৈতে সমানে পাইছিল। ৰজা বুলিলে প্ৰজাৰ পালক, পিতৃ তুল্য। এনে স্থলত, ৰজাই যি প্ৰজাক পালন কৰিবৰ ভাৰ গাত লৈ পিতৃ স্থান অধিকাৰ কৰিছে, সেই ৰজাই যদি প্ৰজাক প্ৰতিপালনৰ পৰিবৰ্ত্তে অত্যাচাৰ কৰে, প্ৰজাক মৰমৰ চকুৰে চোৱাৰ সলনি খি:ৰ চকুৰে চায়, প্ৰজাই খাবলৈ ভাত খুজিলে যদি শিলগুটি দিয়ে, তেন্তে সেই ৰজা ৰাজসিংহাসনৰ অযোগ্য, বিশ্বাস-ঘাতক আৰু প্ৰজাৰ পৰম শত্ৰু। কলীয়া ভোমোৰা বৰফুকনৰ কামৰূপীয়া প্ৰজাবিলাকৰ প্ৰতি এনেহে বিদ্বেষ ভাৱ আছিল যে গধূলি সিহঁতক তেওঁ গুৱাহাটী নগৰৰ ভিতৰত থাকিবলৈ নিদিছিল।

এই বৰফুকনৰ কেৱল একেজনী ছোৱালী—নাম ফুল আইদেউ। ফুল সৰ্ব্বগুণী সুলক্ষণী ১৫ বছৰীয়া ছোৱালী। কথায় বাৰ্ত্তায়, দেখিবলৈ ফুল যি ফুলেই। ফুল কেচুৱাতে মাউৰা। সেই কালৰ পৰা কেৱল বাপেকৰ হাতত তেওঁ ডাঙৰ-দীঘল। মাকৰ মৰম বা মাক কি বস্তু ফুলে কব নোৱাৰে। সেই বুলি যে ফুল মাক হৰৰ অনুপযুক্ত এনে নহয়। চৰাই পোৱালি পুহি মাকৰ নিচিনাকৈ মৰম কৰা, টোপ খুওৱা, মেকুৰী পোৱালি আৰু পছুপোৱালি পুহি মাতকতকৈও সাতত্ত্বাৰকৈ মৰম কৰি তোলা কামত, ভাল ভাল মাকও ফুলৰ ওচৰত হাৰিব। দৰা-কন্যা সাজি বিয়া পতা আৰু সেই দৰা-কন্যাক সঁচাসঁচিকৈয়ে আপোনাৰ ল'ৰা ছোৱালী বুলি ভাবি মৰম কৰা ফুলক দেখি তবধ হব লাগে। বৈণীয়েক মৰিবৰ পৰা বৰফুকনে আৰু নকৈ বিয়া কৰোৱা নাছিল, ফুলেই তেওঁৰ ঘৰ অকলৈ শুৱনি কৰি আছিল। তেওঁ সকলো মানুহ আৰু বস্তুৰ পৰা মৰম চপাই আনি সম্পূৰ্ণকৈ ফুলতে স্থাপন কৰিছিল। সেই দেখিয়েইহে কি জানি, তেওঁৰ ফুলৰ বাজে কাৰো প্ৰতি দয়া মৰম নেথাকিছিল। ফুলৰ মাক মৰিলত ফুকনে কিয় বিয়া নকৰালে কব নোৱাৰোঁ, কিন্তু পৰম্পৰা শুনা যায় যে কি জানি মাহীয়েক আহি তেওঁৰ অতি মৰমৰ ফুলক দুখ দিয়ে এই আশঙ্কা কৰিয়েই তেওঁ পুনৰ্বিবাহ নকৰালে। ফুলক তুলিব-তালিবলৈ এজনী বুঢ়ী ধাই মাক আছিল। ফুলে তাই মাক যেন ভাবি সৰুৰে পৰা 'আই' 'আই' কৰিছিল।

বৰফুকন সভাসদ সকলেৰে সৈতে চ'ৰাত বহি আছে, এনেতে দুৱৰী আহি আঠু লৈ কৰযোৰকৈ জান দিলে :- "ডাঙৰীয়া দেউতা। কেৰপাই চোৰাংচোৱা নালীয়া চোৰাংচোৱাই সৈতে আহি দুৱাৰত আছে। কি আদেশ হয়?" এই কথা শুনি বৰফুকন ডাঙৰীয়াই সভাসদসকলক বিদায় দি চোৰাংচোৱা দুজনক আগলৈ আহিবলৈ আজ্ঞা কৰিলে। তেওঁবিলাক আহি আঠু ললত ডাঙৰীয়াই সুধিলে,—"কেৰপাই চোৰাংচোৱা, কি দেখিলি, কি শুনিলি, কহঁকচোন?" এই প্ৰশ্ন শুনি কৰযোৰকৈ কেৰপাই চোৰাংচোৱাই কবলৈ ধৰিলে—"ডাঙৰীয়া দেউতা। যি দেখিলো, যি শুনিলো কিঞ্চক চিন্তি সি বৰ বিষম। আমি দুই ভায়ে মৰি মজি কিঞ্চক চিন্তি যিমান পাৰোঁ সিমান সন্ধেদ ললো; ডাঙৰীয়া দেউতা কথা আথান্তৰ! এই আথান্ত কথা, কিঞ্চক চিন্তি ডাঙৰীয়া দেউতা বৰ বিষম।"

বৰফুকন।—"খাই কথাটো ক, সৰহকৈ পাতনি নালাগে।"

কেৰপাই।—"হয় ডাঙৰীয়া দেউতা, খাই কথালৈকে যাব লাগে। এহালিচা পাতনিত আমাৰ কি কাম আছে? কিঞ্চক চিন্তি ডাঙৰীয়া দেউতা কথাটি সম্ক্ষেপেহে কওঁ; কিয়নো, কথা বহলাই নিনি সম্ক্ষেপেহে কব লাগে। এইবাবেহে ডাঙৰীয়া দেউতা, মোৰ কথা সদায় সম্ক্ষেপ। এৰা মোৰ কথা সদাই সম্ক্ষেপ।—এই খিনিতে এৰিছিলোনে নালীয়া? কি কথাটো কব খুজি-ছিলো, পাহৰিলো—"

নালীয়া।—"এৰা এই খিনিতে এৰিছিলা। কিবা পাতনিৰ কথা কব খুজিছিলা।"

কেৰপাই—"অ' হয়; পাতনিৰ কথা কৈছিলো। এৰা এহালিচা পাতনিত আমাৰ কি সকাম আছে? খাই কথা যিমান সোনকালে কোৱা যায় সিমান ভাল কিয়নো—"

বৰফুকন।—"তই পাতনি নকৰেঁ। গুলি দেখোন-পাতনি কৰিয়েই হায়ৰাণ কৰিলি। যাই কথা ক, যাই কথা ক।"

নালীয়া।—"ককাই তুমি থাকা মই কওঁ। ডাঙৰীয়া দেউতা! 'মাগধ ৰজাৰ সেনা সাগৰ সন্তাপ।' হৰদত্তই তলে তলে অপাৰ সেনা গোটাইছে। হিন্দুস্থানী, ফকিৰ, বঙ্গালী, সন্ন্যাসী, দা-টাঙোন ধৰা দাঁতী পৰীয়া অনেক কছাৰী মানুহ তেওঁ ডাঙৰীয়া দেউতাৰে সৈতে যুঁজিবলৈ গোটাই লৈছে। কামৰূপীয়া অনেক বৰ বৰ লোকে পেটে পেটে তেওঁক সহায় কৰিছে। দৰঙ্গৰ কৃষ্ণ নাৰায়ণ ৰজা আৰু কোচবেহাৰৰ মহাৰজাই টকা মানুহ আৰু অস্ত্ৰ শস্ত্ৰাদি দি তেওঁৰ ফলীয়া হৈছে। কোচ-বেহাৰৰ ৰাজকোঁৱৰ আহি তেওঁৰ জীয়েক পদুম কুঁৱৰীক বিয়া কৰাই তেওঁৰে সৈতে সম্বন্ধ কৰিবলৈ তেওঁৰ ঘৰতে আছেহি। বিয়াৰ পিচতে হৰদত্তই দেখাদেখিকৈ শত্ৰুতাচৰণ কৰি ডাঙৰীয়া দেউতাৰে যুঁজিবলৈ ঠিক কৰিছে। এতিয়া ডাঙৰীয়া দেউতাই যেনে ভাল দেখে তেনে কৰক।"

কেৰপাই।—"হয় ডাঙৰীয়া দেউতা! মোৰো সম্‌ক্ষেপে এই কথাই। এতিয়া কিঞ্চক চিন্তি যেনে ভাল দেখে কৰক। এই সম্‌ক্ষেপ কথা বহল হবলৈ দিলে কিঞ্চক চিন্তি বিষম হব, বিষম হলে কিঞ্চক চিন্তি আখান্তৰ মিলিব, আখান্তৰ মিলিলে কিঞ্চক চিন্তি বিষম হবই হব। সেই দেখি ডাঙৰীয়া দেউতাক পাতনি নকৰাকৈ আমি যি দেখিলোঁ, যি শুনিলোঁ, সেই কথা সম্‌ক্ষেপে জনালোঁ।"

বৰফুকন।—"কোচবেহাৰৰ কোঁৱৰ হৰদত্তৰ জীয়েকক বিয়া কৰাবলৈ অহা কথা সঁচা নে? কি জানি তেওঁ আন কিবা কথাতহে আহিছে? কি জানি তেওঁ কোচবেহাৰৰ ৰজাকোঁৱৰ নহয়েই? তহঁতে তেওঁক দেখিছিলি নে? তেওঁক চিনি পাৱ?"

কেৰপাই।—"হয় ডাঙৰীয়া দেউতা, কিঞ্চক চিন্তি তেওঁ বিয়া কৰাবলৈ অহা হয়; আমি তেওঁক ভালকৈ চিনি পাওঁ আৰু কিঞ্চক চিন্তি আন মানুহে কৈছে। আমি সম্‌ক্ষেপে এই কথা কলোঁ।"

এনে সময়ত দুৱৰী আহি বৰফুকনক জান দিলেহি যে এটি দেখিবলৈ সুন্দৰ মোহ লগা ডেকা-ল'ৰা আহি দুৱাৰ মুখতে আছেহি। ডাঙৰীয়া দেউতাৰে দেখা কৰে। এই কথা শুনি বৰফুকনে তেওঁক দুৱাৰ এৰি দিবলৈ দুৱৰীক আজ্ঞা কৰিলে।

প্ৰবল দুৰ্দ্দশা-বতাহৰ কোবত গা-গছৰ পৰা চিগি পৰি সূৰ্য্যকুমাৰ নিৰুপায় নিঃসহায় হৈ কলৈ যাব কি কৰিব অস্থিৰ হৈ পৰিল। সি হৰদত্তৰ ঘৰৰ চাৰিবেৰৰ ভিতৰৰ পৰা বাহিৰলৈ ওলোৱা নাছিল। হৰদত্ত আৰু তেওঁৰ মৰমিয়াল সহধৰ্ম্মিণীৰ মৰম আৰু আদৰৰ বাহিৰে যি সংসাৰৰ আন একো নেজানিছিল, পদুমৰ প্ৰেম-সৰোবৰত মহা সুখে চৰি যি ইমান ডাঙৰ-দীঘল হৈছিল, এনে সূৰ্য্যকুমাৰ হঠাৎ সেইবিলাকৰ পৰা বঞ্চিত হৈ বিবুদ্ধি হৈ পৰিল। হৰদত্তৰ অতি আদৰৰ পাত্ৰ হৈ থকা বাবে বৰং আন লোকে বিনা কাৰণতে তেওঁক দেখিব নোৱাৰা আৰু তেওঁৰ শ্ৰী সহিব নোৱাৰা হৈছিল। এই দুৰৱস্থাত তেওঁক জনা-শুনা প্ৰায় সকলোৱে দুখ কৰা থাওক পৰি ৰংহে পাইছিল। এতিয়া তেওঁক পুতৌ কৰা মানুহ নাইকিয়া হল। অনেক ভাবি চিন্তি শোক, দুখ আৰু বেজাৰত জৰ্জ্জৰিত হৈ সূৰ্য্যকুমাৰে অৱশেষত গুৱাহাটীৰ শাসনকৰ্ত্তা বৰফুকনৰ ওচৰত আশ্ৰয় লোৱাকে মনত থিৰ কৰিলে। ভাবিলে দুৰ্ব্বলৰ বল ৰজা, নিৰাশ্ৰয়ৰ আশ্ৰয় ৰজা, পিতৃ-মাতৃ হীনৰ পিতৃ-মাতৃ ৰজা, এনে ৰজাৰ শৰণ নললে আৰু তেওঁৰ গতি নাই। হৰদত্তৰ শত্ৰু বৰফুকন, এতেকে বৰফুকনৰ আশ্ৰয় লৈ হৰদত্তৰ বিৰোধ আচৰণ কৰিব লাগে এই উদ্দেশ্য মনত লৈ যে সূৰ্য্যকুমাৰ বৰফুকনৰ ওচৰলৈ যাবলৈ স্থিৰ কৰিছিল এনে নহয়। সেই ভাব সূৰ্য্যকুমাৰৰ সমাজিকতো নাই। হৰদত্তই যে তলে তলে বৰ-ফুকনৰ বিৰুদ্ধাচৰণ কৰিছিল, এই কথাৰ শুংসূত্ৰ পৰ্য্যন্ত সূৰ্য্যৰ জনা নাছিল। তেওঁ কেৱল জানিছিল হৰদত্ত আৰু তেওঁৰ গৃহিণীৰ স্নেহ আৰু পদুমৰ ভালপোৱা। এই কেটা কথাৰ বাহিৰে তেওঁ এই পৃথিৱীৰ পাকচক্ৰত কেতিয়াও পৰাও নাছিল আৰু পৰিবলৈ নিবিচাৰিছিলও। আন কি, হৰদত্ত আৰু আহোম ৰাজপুৰুষ সকলৰ ভিতৰত এনে বৈৰী ভাব থকাৰ কথা অলপ জনাহেঁতেনো তেওঁ কেতিয়াও বৰফুকনৰ বৰ গছৰ ছাঁ বিচাৰি নেযায়। কাৰণ হৰদত্তই ক্ৰূৰমতি বীৰদত্তৰ কথা শুনি যদিও তেওঁক নিৰ্দ্দয়ৰূপে তেওঁৰ ঘৰৰ পৰা খেদি তেওঁৰ বুকুৰ চেনেহ-ঠাৰি ডালৰ পৰা পদুম ফুলটি চিঙি নিলে, তথাপি হৰদত্তৰ ঘৰৰ প্ৰতি তেওঁৰ ভক্তি আৰু মৰম নিখুঁট ভাবে আছিল। হৰদত্তৰ ঘৰৰ লগত তেওঁৰ হৃদয়ৰ আঁহ কেতিয়াও ফালি থোৱাটো অসম্ভৱ।

এই সূৰ্য্যকুমাৰে এতিয়া বৰফুকনৰ দুৱাৰত থিয় হৈছে আৰু এওঁকে দুৱাৰ এৰি দিবলৈ দুৱৰীয়ে ডাঙৰীয়াৰ আজ্ঞা লৈছে।

বৰফুকনে সূৰ্য্যকুমাৰৰ মুখে তেওঁ ক'ৰ, কি কথা, কি বাৰ্ত্তা, সকলোবিলাক শুনি বৰ আতো-পুতোকৈ তেওঁক আপোনাৰ ঘৰতে থাকিবলৈ কলে। সূৰ্য্যাইও সেই কথাত স্বৰ্গ ঢুকি পাই বৰ সন্তোষেৰে তাত থাকি হল। কিন্তু সূৰ্য্যকুমাৰে আপোনাৰ সকলোবিলাক বৃত্তান্ত বৰফুকনৰ আগত যদিও কলে গুলি

আৰি কৈছোঁ, তথাপি পদুম আৰু তেওঁৰ ভিতৰত প্ৰণয় হোৱা কথাটি কওঁতে তেওঁ বাদ দিছিল। বৰফুকনে সূৰ্য্যক ইমান আদৰেৰে আদৰ সাদৰ কৰি তেওঁৰ ঘৰত থাকিবলৈ ঠাই দিয়া কথাটোৰ পৰা এনে ভাবিব নেলাগে যে সূৰ্য্যৰ দুখত তেওঁ দয়া পৰৱশ হৈ কুমলি গৈছিল। তেনে সূৰ্য্য এশটাও যদি তেওঁৰ আগতে পৰি মৰে, তথাপি তেওঁ চকু মেলা লোক নহয়। চতুৰ, দীৰ্ঘদৰ্শী বৰফুকনে হৰদত্ত বাধক বধ কৰিবলৈ সূৰ্য্যাস্ত্ৰ গোটাই ললো বুলিহে ভাবিলে। স্ব-অভীষ্ট সিদ্ধি কৰিবলৈ সূৰ্য্যৰ পৰা হৰদত্তৰ চলন ফুৰণ আৰু ভিতৰৰ সকলো কথা জানিব পাৰিম বুলি সূৰ্য্যক তেওঁ আশ্ৰয় দান কৰিছিল। সেই মুহূৰ্ত্ততে ডাঙৰীয়াই সূৰ্য্যক ভিতৰলৈ লৈ গৈ জীয়েক ফুল আইদেউক মাতি আনি তেওঁৰে সৈতে চিনাকি কৰি দি কলে—"আইদেও, তই ৰং-ধেমালি কৰিবলৈ এইটি তোৰ লগৰীয়া ল'ৰা আনি দিছোঁ। তই ইয়াক মৰম কৰিবি, আৰু ভাল বস্তু খাবলৈ-লবলৈ দিবি।"

পঞ্চম অধ্যা

ফুলত পোক

"When the dawn I used to admire
And praised the coming day,
I little thought the rising fire
Would take my rest away.
—Sir C. Sedley.

কোনে জানিছিল, গোলাপ ফুলটি ফুলি থাকোঁতেই হঠাৎ কৰবাৰ পৰা আহি পোকে ধৰিব? কোনে ভাবিছিল, দুষ্টমতি পোকে এনে দিব্য বস্তুটিৰ হিয়াৰ ভিতৰত সোমাই খুলি খুলি খাবলৈ লাগিবহি? ফুলনি বাৰীৰ এচুকত এটি ফুলে আপোনাৰ আনন্দতে আপুনি নাচিছে, আপোনাৰ ৰঙতে আপুনি হাঁহিছে, আপোনাৰ ৰূপতে আপুনি ভোল; কাৰো সৈতে কথা নাই, কাকো নেলাগে, কাকো নিবিচাৰে; কুলিয়ে মাতিছে যদি মাতিছে, আপত্তি নাই; ভোমোৰাই গুণ্ গুণাইছে যদি গুণ্গুণাওক, বেয়া নেপায়; মলয়া বতাহ বলিছে যদি বলক, ভাল লাগিছে; কিন্তু ক'ৰ পৰা এই পাপিষ্ঠ পোক হঠাৎ আহি দৌৰাত্ম্য আৰম্ভ কৰিবলৈ লাগিলহি? এই পোকে ধৰা মাত্ৰকে ফুলটিক অস্থিৰ কৰি দিলে। কি ভয়ানক পোক! চোৱাঁচোন, চকু-চাওঁতেই ফুলৰ মুখৰ বৰণ হৰিল, হাঁহি মুখত মোলান পৰিল, চকুৰ জিৰবৰণি নাইকিয়া হল, মাতৰ সোঁত থমকিল, ফুলফুলাই গোৱা মুখৰ মাত মুখৰ পৰা নোলোৱা হল। পোকৰ দৌৰাত্ম্যত ফুলে মইনা পোৱালিলৈ পাহৰিলে, মেকুৰী পোৱালিক গাখীৰ নুখুৱায়, ঘৰে দৰা-কন্যা ভতে পৰি বল। ফুল ফুলিলেই পোকে ওচৰ চাপিব, পানী হলেই মাছ ওলাব, মাটি হলেই বন গজিব, বিধিৰ বিধান। এই সংসাৰ-ফুলনিছাত কত ফুল কত ঠাইত ফুলিছে, সেইবিলাকত ধৰি ধৰি পোকৰ আমনি নেলাগে। লক্ষ-বিলক্ষ ফুলৰ মাজত পোকে এটি ফুলও দাঁত নমবাকৈ এৰিব নোৱাৰে—গোঁসাইৰ শাওপাত আছে, সোনকালে বা পলমকৈ, এতিয়াই বা অৰ্থনিকৈ, আজিয়েই বা কাইলৈ, ফুলত পোকে ধৰিবই।

ফুল আইদেওক হঠাৎ অনুৰাগ পোকে ধৰিলে। সেইভাকে যেই মুহূৰ্ত্ততে সূৰ্য্যকুমাৰক তেওঁৰ আগত থিয় কৰালেহি সেই মুহূৰ্ত্ততে, প্ৰথম দৰ্শনতে সূৰ্য্যৰ প্ৰতি তেওঁৰ অভিনৱ অনুৰাগ জন্মিল। এই ভাব তেওঁৰ এই প্ৰথম। আগেয়ে কস্মিনকালেও ফুলে এনে এটা দুৰন্ত ভাব অনুভৱ কৰা নাছিল। ফুলে ফুল ভাল পাইছিল, ফুলপুলি কইছিল আৰু আপুনি কঢ়িয়াই তাৰ গুৰিত পানী দিছিল, কিন্তু তেতিয়া তেওঁৰ এনে মনৰ বিকাৰ ঘটা নাই। দিনে-ৰাতিয়ে ফুলে চৰাই পোৱালিক মৰম কৰিছিল, পছ-পোৱালিক ভাল পাইছিল, পুতলাক চুমা দি দি মৰমতে মজিছিল; কিন্তু সেইবিলাক ভাল পোৱাতো তেওঁৰ এনে অপূৰ্ব্ব মানসিক আবেগ কেতিয়াও হোৱা নাই। বাস্তবিকতে প্ৰকৃত প্ৰেমৰ গঢ়েই এনেটো, তাৰ গতি বিজুলীৰ সঞ্চাৰ, ভালপোৱাৰ বস্তুটি চকুত পৰা মাত্ৰকে ভালপোৱাৰ গৰাকীৰ ভালপোৱাটোলৈ ছুটি মেলে। প্ৰেমে দেশ নেমানে, কাল নেমানে, পাত্ৰ নেমানে। প্ৰেমৰ স্থান অস্থান, সময় অসময়, উপযুক্ত অনুপযুক্ত জ্ঞান নাই। অনুৰাগ-কাঁড়ে যাৰ হৃদয় এবাৰ বিন্ধিলে, তেওঁ আৰু অনুৰাগৰ সেই বস্তুটি নেপায়মানে সংসাৰত সুখ নেপায়। বিশেষকৈ জীৱনৰ ভিতৰত ভাল পোৱাৰ প্ৰথমটো টো অতি ভয়ানক। কত মানুহক এই প্ৰথম ঢৌৱে উটাই নি অকূল সমুদ্ৰৰ মাজত পেলাই ককবকোৱাইছে তাৰ লেখ নাই। প্ৰেম যে "দিল্লীকা লাড্ডু" বুলি কয়, তাত এক ধনিষ্টামানো ভুল নাই; ইয়াক "খোভি খায়া ওভি পস্তায়া, যোভি নাহি খায়া ওভি পস্তায়া।" যি প্ৰেমত পৰিছে সিও ধৰ্ফৰাই মৰিছে, যি নাই পৰা সিও প্ৰেম প্ৰেমকৈ ধৰ্ফৰাই মৰিছে। প্ৰথম দেখাতেই সঞ্চাৰ হোৱা প্ৰেম প্ৰকৃত প্ৰেম, তাৰ বাধালৈ ভ্ৰূক্ষেপ নাই, বিধিনিষেধলৈ ভ্ৰূক্ষেপ নাই, সম্ভৱলৈ দৃক্পাত নাই, অসম্ভৱলৈ দৃক্পাত নাই। তাৰ আগত ভূত নাই, ভৱিষ্যত নাই, স্বৰ্গ নাই, নৰক নাই। আছে কেৱল প্ৰেমৰ পদাৰ্থটি। সেই প্ৰেমক তুমি অবিবেচক বোলা, উতনুৱা বোলা, কণা বোলা, যি মন যায় তাকে বোলা, কিন্তু প্ৰকৃত পক্ষে সিয়েই প্ৰেম, সিয়েই নিভাজ প্ৰেম। সদাশিৱৰ

চকুৰ জুয়ে বিয়াল পাবে তাক পুৰি ভস্ম কৰক, সি কিন্তু এশ বাৰ এশ প্ৰকাৰে উপজিব। এই প্ৰথম প্ৰেমৰ পাশুপাত অস্ত্ৰ হিয়াত লাগিহে সুভদ্ৰাই "অৰ্জুন" "অৰ্জুন"কৈ পৃথিৱীত নুটিখাই পৰিছিল; এই পাট শৰত পৰিহে সাবিত্ৰীয়ে সত্যবান মৰিব বুলি জানিও তেওঁত আপোন মন-প্ৰাণ সঁপিছিল আৰু এই পাট বানত ফুটিহে সুন্দৰী জুলিয়েট আপোন ঘৰৰ গবাক্ষ দুৱাৰত খিয় হৈ সাত শত্ৰুৰ ঘৰৰ সন্তান ৰমিয়ক "ৰমিয়" "ৰমিয়"কৈ করুণস্বৰে মাতিছিল।

সূৰ্য্যকুমাৰক দেখাৰ পৰা ফুলৰ গতি সম্পূৰ্ণ সলিল। ফুল আৰু এতিয়া আগৰ ফুল নাই। তেওঁ সূৰ্য্যক মনে মনে তেওঁৰ দেহ-প্ৰাণ বিকিলে। ফুল গোটেই সূৰ্য্যমুখী হল। সূৰ্য্যকুমাৰে ফুলক প্ৰাণ দিছিল নে নাই ফুলে কব নোৱাৰে, কিন্তু ফুলে যে সূৰ্য্যক মনে মনে প্ৰাণ দিলে, এইটোত এক ৰেণু-মাত্ৰাও সন্দেহ নাই। সূৰ্য্যই তেওঁক ভাল পাওক নেপাওক তেওঁক নেলাগে, কিন্তু তেওঁ হলে সূৰ্য্যত তেওঁৰ ভালপোৱা স্বত্ব পৰিত্যাগ কৰি সমৰ্পিলে। কপালত বিহকে থাকক, সেই ভালপোৱা আৰু ওলোটাই আনিবলৈ তেওঁৰ সাধ্য নাই।

সিফালে সূৰ্য্যক হেৰুৱাই পদুমকুঁৱৰীৰ সেই দশা, ইফালে সূৰ্য্যক পাই ফুলৰ এই দশা, এনেস্থলত সূৰ্য্যই কি দৰে ৰবফুকনৰ ঘৰত কাল কটাইছিল, তাক অলপমান কোৱা যাওক।

ফুল যে তেওঁৰ নিমিত্তে তলে তলে ইমান বিহ্বল হৈছিল, সেই কথাৰ সূৰ্য্যকুমাৰে শুং মাত্ৰ নেজানে। পদুমক এৰিবৰ পৰা সূৰ্য্য মৃতপ্ৰায়, তেওঁৰ মুখত হাঁহি নাই, মাত নাই, অন্তৰত সদাই বিৰহ বহ্নি। ভাত-পানীত অৰুচি, আমোদ আহলাদত সম্পূৰ্ণ অৰতি, সদাই তলনৈ মূৰকৈ ভাবিব, আৰু এটোপা চকুৰ পানী পেলাব। লাহে লাহে তেওঁ বিবৰ্ণ হৈ শুকাই-খীনাই যাবলৈ ধৰিলে। ফুলে তেওঁৰ মন ভাল লগাবলৈ, তেওঁক সুখে সন্তোষে ৰাখিবলৈ কত চেষ্টা, কত যত্ন, কত উপায় কৰিছিল তাৰ অন্ত নাই। কিন্তু কি কাৰণত সূৰ্য্যৰ মন অস্থিৰ, সুখ-শান্তি নাই সেই কথা সূৰ্য্যইও ফুলক কোৱা নাই, ফুলেও সূৰ্য্যক সুধিবলৈ ইচ্ছা কৰা নাই। ফুলৰ প্ৰধান ভয়, যে সূৰ্য্যক তেওঁ এই মনোবেদনাৰ কথা সুধিলে কিজানি সূৰ্য্যৰ মনত কষ্ট আৰু অধিক হয়। যি কষ্ট পাতলাবলৈ, যি ৰোগ আৰোগ্য কৰিবলৈ তেওঁ ইমান যতন কৰিছে, অপ্ৰীতিকৰ কথা সুধি সেই কষ্ট আৰু বেচিকৈ মনত পেলাই দি, কি জানি ৰোগ তেওঁ বঢ়ায় হে। তেওঁৰ মনত দুখ বেই কি বা নহওক, কেনেকৈ তাৰ পৰা তেওঁৰ মনটো আনফালে নি সেই দুখ পাহৰাব, ফুলৰ দিনে-ৰাতিয়ে এই চিন্তা। ফুলে ভাবিছিল, সকলে পৰা থকা ঘৰ-দুৱাৰ, মিতিৰ-কুটুম, বন্ধু-বান্ধৱ এৰি লোকৰ ঘৰত থাকিব লগা হোৱাতহে সূৰ্য্যৰ মনত বেজাৰ। সেই দেখি ফুলে মনতে এই সঙ্কল্প কৰিলে, যে তেওঁবিলাকৰ ঘৰ সূৰ্য্যৰ আপোন ঘৰতকৈও আপোন কৰিব, আৰু তেওঁ সূৰ্য্যৰ ভাই-ককাই আদিতকৈও আপোন হব। সেই দেখি সূৰ্য্যক বেজাৰ মুৱা হৈ থকা দেখিলে তেওঁ লুকাই কান্দি আপোনা আপুনি কোনেও নুশুনাকৈ কয় "প্ৰাণনাথ! তুমি কিয় বেজাৰ কৰিছা, মোৰ ঘৰেই তোমাৰ ঘৰ; তোমাৰ কোনো নাই, মই আছোঁ; মই তোমাৰ চিৰকাল চৰণ সেৱি থাকিম, তোমাৰ ভয় কি? প্ৰাণেশ্বৰ! আৰু তুমি বেজাৰ নকৰিবা, তোমাৰ বেজাৰ দেখিলে মই থিৰে থাকিব নোৱাৰোঁ; তোমাৰ চকুৰ লো দেখিলে মোৰ চকু চলচলীয়া হৈ যায়।"

এদিন ফুল আইদেৱে আবেলি সূৰ্য্যকুমাৰক তেওঁৰ ফুলনি বাৰী দেখুৱাবলৈ হাতত ধৰি নৈ গৈ তেওঁ নিজ হাতে ৰোৱা, নিজ হাতে পানী দি ডাঙৰ কৰা ফুল পুলি, গছ পুলিবোৰ এজোপা এজোপাকৈ দেখুৱাইছে, এনেতে পুলি আম এজুপিৰ ডাল এটিলৈ হঠাৎ তেওঁৰ চকু গলত 'আই ঐ! আই ঐ!' কৈ উঠিল। সূৰ্য্যই এই কথা শুনি ৰব ব্যস্ত-সমস্ত হৈ "কি হল, কি হল?" বুলি সুধিলে।

ফুল।—"তলনৈ মূৰকৈ বেজাৰ কৰি থকা সৌ কপৌৰনী জনী চোঁৱা চোন! তাই সদাই আৰু এটিয়ে সৈতে এজুৰি হৈ মোৰ এই ফুলনি বাৰীৰ সেই আম জুপিতে থাকে। দিনটো দুয়ো লগ্ লাগি কৰবাত চৰি ফুৰেগৈ, গধূলি হলে দুয়ো আকৌ একে লগে ইয়ালৈ গুচি আহে। আজি তাইৰ লগৰ সিটি নাই, কৰবাত কোনোবাই তাক মাৰিলে কি কিবা হল। সেই দেখি তাই নচৰি বেলি এডোখৰ থাকোঁতেই গুচি আহি অকলে কান্দি-কাতি বেজাৰ কৰি আছে।"

ফুলৰ এই কথা শুনা মাত্ৰকে সূৰ্য্যকুমাৰ বৰুৱা হঠাৎ ৰবণ সলাই মাটিত বহি পৰিল, ফুলে "কি হল!" বুলি চিঞৰ মাৰি দিলে। ফুলনি বাৰীত ফুলৰ চিঞৰ শুনি ধাইমাক ঘৰৰ ভিতৰৰ পৰা লৰি আহি সূৰ্য্যকুমাৰক তেনেকৈ থকা দেখি তৎক্ষণাৎ তেল-পানী আনি মূৰত দি অলপ বিছিলত, সূৰ্য্য-কুমাৰ সুস্থ হৈ উঠি বহিল। হঠাৎ এনে হোৱাৰ কাৰণ সুধিলত সূৰ্য্যই কলে, মাজে মাজে তেওঁৰ এনেকুৱা হয়। ফুল আইদেৱে লাহে লাহে সূৰ্য্যক ধৰি ঘৰলৈ আনিলে

ষষ্ঠ আধ্যা

ৰোগ নিৰ্ণয়

"And gather ....
If't be the affliction of his lover or no
That thus he suffers for" —Hamlet.

সূৰ্য্যকুমাৰ কি ৰোগত ভুগিছিল, এই ঘটনাৰ পৰা তাৰ অলপ আভাষ ফুলে বুজিব পাৰিলে। ফুল স্বভাৱতে বৰ বুদ্ধিমতী চোকা ছোৱালী, এটা কথা জানিবলৈ যৎকিঞ্চিৎ আভাষেই তেওঁৰ পক্ষে বহুত। বিশেষতঃ সূৰ্য্যকুমাৰৰ মনৰ ভাব, শৰীৰৰ গতি আদিতে তেওঁৰ মন সম্পূৰ্ণ নিবিষ্ট আছিল। সূৰ্য্যকুমাৰেই তেওঁৰ চিন্তা, আলোচনা আৰু অধ্যয়নৰ বস্তু হৈছিল; গতিকেই এই ঘটনাই যে তেওঁৰ চকুত চাকিৰ পোহৰ পেলাই দিব, সি একো আচৰিত কথা নহয়। কিয় বা সেই কপৌৰনীৰ বিৰহৰ কথা তেওঁৰ আগত উল্লেখ কৰিলতে তেওঁৰ ভয়ানক মানসিক আবেগ উপস্থিত হল, এই প্ৰশ্নৰ উত্তৰ ফুলে সহজে পালে। ফুলে তৎক্ষণাত এই সিদ্ধান্ত কৰিলে যে সূৰ্য্যকুমাৰো এনে বিচ্ছেদৰ বেদনাত ব্যথিত, নহলে বিচ্ছেদৰ কথা শুনি তেওঁ কিয় এনে মৰ্ম্মাহত হব? হায়! সূৰ্য্যবো তেনে কোনোবা লগৰীয়া আছিল যাক হেৰুৱাই তেওঁ মৃতপ্ৰায় হৈ আছে। সূৰ্য্যইও এই পৃথিবীত কাৰবাক তেওঁৰ মন-প্ৰাণ সমৰ্পিছিল। যাৰ পৰা পৃথক হৈ তেওঁ গোটেই সংসাৰ এন্ধাৰ দেখিছে। হায় সূৰ্য্য! এই কপৌ-কপৌৰনী ভুৰিৰ দৰে তুমিও এই সংসাৰৰ এজুপি গছত তোমাৰ হৃদয়েশ্বৰীৰ সৈতে একে লগে একে ঠাইতে একেটি ডালতে মুখামুখীকৈ পৰম সুখত আছিলা। নিষ্ঠুৰ কালে তোমাৰ পৰা তোমাৰ মৰমৰ সিটিক কাঢ়ি নি তোমাব এই অৱস্থা কৰিলে! এনে স্থলত তুমি কেনেকৈ থিৰেৰে থাকা? তুমি যাক ভাল পাইছিলা, তোমাকে ভাল পাই যি হিয়া জুৰাই আছিল, তেওঁৰ বা তোমাৰ বিৰহত কি গতি হৈছে? হায় বিধি! তেওঁ তোমাক এৰি এতিয়াও জীয়াই আছেনে? তুমিতো পুৰুষ, তোমাৰ হৃদয়ৰ তুলনাত তেওঁৰ হৃদয় অতি কোমল, কেনেকৈ তেওঁ এনে কোমল হিয়াত এনে নিদাৰুণ বিৰহ যন্ত্ৰণা সহিছে! এই সংসাৰত ঈশ্বৰে তিৰোতাক দুখ-কষ্টৰ কঠোৰ যন্ত্ৰণা সহিবলৈ সৃজন কৰিলে নে কি? হৰি, হৰি, কঁপাল!—তুমি কোন ভাগ্যৱতী কব নোৱাৰোঁ। তুমি যে সূৰ্য্যকুমাৰৰ ভালপোৱাৰ পাত্ৰ হৈছা, এই নিমিত্তে তুমি মোতকৈ লক্ষ গুণে কপালী। তোমাৰ কপালে সৈতে তুলনা কৰিছে মই অভাগিনীৰ কপাল খুলি ভাজিব লগীয়া। তুমি সূৰ্য্যৰ প্ৰেম পাইছিলা, সূৰ্য্যই "তোমাক ভাল পাওঁ" বুলি কোৱা অমৃত যেন কথাৰে তোমাৰ কাণ শীতল কৰিছিল, তোমাৰ চকুৱে হেপাহ পলুৱাই সূৰ্য্যৰ পূৰ্ণিমাৰ জোন যেন মুখ চাইছিল, তোমাৰ মুখে সূৰ্য্যৰ মুখৰ মৌ পিবলৈ পাইছিল, মোৰ প্ৰাণেশ্বৰৰ তুমি হাঁহিমুখ দেখিবলৈ পাইছিলা, আহা! তুমি কেনে ভাগ্যৱতী। মোৰ প্ৰাণনাথ তোমাৰ নিমিত্তে কাতৰ; ধন্য তুমি পুণ্যৱতী!—সি যি হওক প্ৰাণনাথ! যদি এই পৃথিবীত তোমাৰ প্ৰিয়া এতিয়াও জীয়াই আছে, যদি তেওঁ তোমাৰ বিৰহ অগণিত এতিয়াও পুৰি ভস্ম হোৱা নাই, তেন্তে মই গোঁসাইৰ চৰণত এই প্ৰাৰ্থনা কৰিছোঁ, যে তোমাৰে সৈতে তোমাৰ মৰমৰ মৰমৰ বস্তুটিৰ আকৌ শীঘ্ৰে মিলন হয়, আকৌ যেন তোমাৰ বুকুৰ ধন তোমাৰ বুকুত লবলৈ পোৱা, তোমাৰ পুনৰ সুখ-শান্তি দেখিবলৈ পালেই মোৰ জীৱন সাৰ্থক হল বুলি মানিম। প্ৰাণেশ্বৰ! তোমাৰ প্ৰিয়াৰ বেটী হৈ থাকিও যদি মই তোমাক সুখী দেখিবলৈ পাওঁ, তেনেহলে মোক এই সংসাৰত আৰু একো নেলাগে।

এই কেযাব কথা কৈয়েই ফুলৰ চকুলোৰে চলচলীয়া হৈ গল, আৰু তেওঁ একো কব নোৱাৰিলে।

সপ্তম আধ্যা

বিৰলে মন্ত্ৰণা

"Let us seek some desolate shade, and there
Weep our sad bosoms empty" —Macbeth.

ফুল-সূৰ্য্যৰ কথা এইখিনিতে এৰি আমি এতিয়া হৰদত্তই ভায়েক, পুতেক, কোচবেহাৰৰ কোঁৱৰ আৰু তেওঁৰ মন্ত্ৰী সকলেৰে সৈতে ভিতৰ চৰাত কি মন্ত্ৰণা কৰিছে, মনে মনে শুনো।

হৰদত্ত।—কালিৰ ভিতৰতে আমি বৰফুকনক ফৌজেৰে আক্ৰমণ কৰি বেঢ়ি ধৰি বন্দী নকৰি পদমৰ বিয়াৰ পাছলৈ বাট চাই থাকিলে কাৰ্য্য হৈ নুঠিব। মই শুনিছোঁ বৰফুকনে তলে তলে আমাৰ অভিপ্ৰায় সকলো বুজি পাই উজনিৰ স্বৰ্গদেৱলৈ সৈন্য খুজি পঠিয়াইছে। সেই সৈন্য আহি পালেহি আমাৰ এই অশিক্ষিত অলপ ফৌজেৰে তেওঁলৈকে সৈতে যুঁজাটো অসম্ভৱ হৈ উঠিব।

বীৰু।—কাইলৈ নো বাট চাবৰ সকাম কি মই কব নোৱাৰোঁ; আজিয়েই সেউতাই মোক হুকুম দিয়ক মই বৰফুকনক ধৰি লৈ আহোঁগৈ। কালি কালিকৈ থাকিয়েই সেউতাই সকলো নষ্ট কৰিছে। আমাৰ অতবোৰ ফৌজেৰে সৈতে বৰফুকন এটা কি কুৰিটা ধৰি আনিব পাৰোঁ।

বীৰদত্ত।—ঠিক কৈছে, ঠিক কৈছে, বীৰদত্তৰ সেই কথাত সম্পূৰ্ণ মত। হেলাত কাৰ্য্য নাশ। আপুনি পিছু হুহকি হুহকিয়েই সকলো মাটি কৰিছে; আপোনাৰ সহায় বীৰদত্তৰ দুটা বীৰবাহু থাকোতে ভয় কি? কাইলৈ কিয়, আজিয়েই এতিয়াই আমুকাই কলীয়া ভোমোৰাক ধৰি আনি আপোনাৰ ভৰিত দীঘলকৈ পেলাব পাৰে। কেৱল আপোনাৰ আজ্ঞা লাগে। তাৰ বাহিৰে কোচবেহাৰ ৰাজ-কোঁৱৰ স্বয়ং আপোনাৰ সোঁ হাত। তাৰ উপৰি যত ডাঙৰ ডাঙৰ চৌধুৰী, বুজৰবৰুৱা, বৰুৱা প্ৰভৃতি লোক আপোনাৰ সাহায্যকাৰক। কি কথা আছে, এই মুহূৰ্ত্ততে বীৰদত্তই কলীয়া ভোমোৰাক হাতীৰ ফয়েৰে বান্ধি আনি আহোম বংশৰ আলুৱে কলা-পুলিয়ে তুলিব পাৰে।

হৰদত্ত।—ৰবা এখোন, হবা নুবা কৰিলে একো কাৰ্য্য নহয়। এনেবিলাক গুৰুতৰ কাৰ্য্য কৰিবলৈ বহুত ভাবিব, বহুত চিন্তিব, বহুত গুণিব লাগে, অৱশ্যে তোমালোকৰ উৎসাহ আৰু বল অতি প্ৰশংসনীয়। বীৰৰ নিচিনা ভাই আৰু ৰঘুৰ নিচিনা পো যে মই পাইছোঁ এইটোত মই বৰ অহঙ্কাৰ কৰিব লগীয়া। মোৰ মন্ত্ৰীসকলৰ মন্ত্ৰণা আৰু বন্ধুসকলৰ সাহায্য মোৰ পক্ষে অমূল্য বস্তু। তথাপি সকলো কাৰ্য্যত ধৈৰ্য্যৰ আৱশ্যক। পাপীষ্ঠ আহোমবিলাকৰ অত্যাচাৰ মই অতদিন পাৰেঁাতে সহি আছোঁ বুলি তোমালোকে ভাবিছা নে? স্বদেশৰ স্বজাতিৰ দুৰ্গতিত মোৰ বুকু ফাটি চিটাচিট হোৱা নাই বুলি আছা নে? পাষণ্ডহঁতৰ দৌৰাত্ম্যত মোৰ গাৰ তেজ বক্‌বকৈ এতিয়াও উতলা নাই বুলি জানিছা নে? সতী তিৰোতাই সতীৰ বস্তু ৰাখিব নোৱাৰি কন্দা চিঞৰ মোৰ কাণত এতিয়াও সোমোৱা নাই বুলি ভাবিছা নে? ধনীৰ ধন, মানীৰ মানৰ লগত মোৰ নিজৰ ধন-মান হেৰোৱা নাই বুলি তোমা-লোকে জানিছা নে? উস! যদিও আজিলৈকে মোৰ আহোমে অলপো অপকাৰ কৰা নাই, তথাপি মোৰ দেশী ভাইসকলৰ অপকাৰক মই মোৰ নিজৰ অপকাৰ হেন বুলি ভবা নাই বুলি তোমালোকে বোধ কৰিছা নে? হা ঈশ্বৰ! মোৰ দেশৰ দুৰৱস্থাত মোৰ চকুত টোপনি নাই, পেটত আহাৰ নাই, মনত শান্তি নাই—তথাপি এনেস্থলতো মই হঠাৎ হবা-নুবাকৈ আহোমৰ বিপক্ষে উঠিব পৰা নাই কেলৈ? হঠাৎ কোনো কাম কৰিলে সি সিদ্ধ হল যদি হলেই নহল যদি তেনেই ভ্ৰষ্ট হয়। বিশেষকৈ ৰজাৰ বিপক্ষে যুঁজিবলৈ উঠাৰ নিচিনা এটা ডাঙৰ কাৰ্য্য হঠাৎ কৰা কাৰ্য্য নহয়। আগেয়ে ভাবিছিলো পদুমৰ বিয়াৰ পাচত এই কাৰ্য্য কৰা যাব; কিন্তু এতিয়া পদুমৰ বিয়া স্থগিত ৰাখি এই কাৰ্য্যতহে আগেয়ে লাগিব লগীয়া হল যেন দেখিছোঁ। ঈশ্বৰ আছে, তেওঁৰ ওপৰতে আমাৰ সম্পূৰ্ণ নিৰ্ভৰ; তেওঁ অৱশ্যে আমাৰ কাৰ্য্য সফল কৰিব।

ৰাজকোঁৱৰ।—এই কথা অৱশ্যে অতি সুন্দৰ; ইয়াক আমি সম্পূৰ্ণৰূপে সমৰ্থন কৰোঁ।

হৰদত্ত।—বীৰ, এতিয়াই তুমি সেনাপতিক যুদ্ধৰ সকলো আয়োজন কৰিবলৈ কৈ দিয়া; কাইলৈ ৰাতি দুপৰত বৰফুকনক ঘৰ বেৰা দি ধৰি বন্দী কৰি আনিব লাগিব।

ৰঘু।—কাইলৈ, কাইলৈকে চোচ্‌ৰাই চোচ্‌ৰাই দেউতাই যি কৰে কৰক, মই হলে তেনে কথাত নাই।

ৰঘুৰ এই কথাত হৰদত্তই কিবা কব খোজোতেই এটা চৰ লৰি আহি জান দিলেহি যে কলীয়াভোমোৰা বৰফুকনে তেওঁক আৰু তেওঁৰ লগৰীয়া বিদ্ৰোহী-সকলক ধৰিবলৈ স্বয়ং সৈন্য লৈ আহিব লাগিছে, তেওঁবিলাক তৎক্ষণাত নপলালে আথান্তৰ মিলিব।

এই কথা শুনা মাত্ৰকে তেওঁবিলাক ব্যতিব্যস্ত হৈ পৰিল, আৰু সেই মুহূৰ্ত্ততে তাৰ পৰা পলাই যাবলৈ ঠিক কৰিলে। তৎক্ষণাত হৰদত্তই তেওঁৰ ঘৈণীয়েক, জীয়েক, পুতেক আৰু মন্ত্ৰীসকলক লৈ ভোটানৰ ফালে পলাল। ৰাজকোঁৱৰে বিসঙ্গতি দেখি ঘোঁৰাত উঠি আপোন ৰাজ্য কোচবেহাৰলৈ ছুটি মেলিলে। আন আন বিদ্ৰোহীবিলাকো যেনি-যেই পাই তেনিয়েই পলাই পত্ৰং দিলে।

অষ্টম আধ্যা

উপায় কি?

"Amid, my most noble friends, I pray you all, Speak plainly your opinions of our hopes"

—King Henry the Fourth.

হৰদত্ত তেওঁৰ পৰিয়াৰ আৰু লগৰীয়া সকলেৰে সৈতে পলাই গৈ ভোটৰ পৰ্ব্বতৰ দাঁতিত এডোখৰ হাবিৰ মাজত লুকাই আছে। বৰফুকনে ইপিনে তেওঁৰ ফালৰ মানুহ যাক যাক পালে তাক তাক ধৰি দণ্ড কৰিলে আৰু তেওঁক ধৰিবলৈ চাৰিউফালে মানুহ পঠালে। তেওঁ ভোটানৰ ফালে পলাই যোৱা বাতৰি পাই বৰফুকনে স্বয়ং তেওঁক খেদি গল। কিন্তু তেওঁ যেনে ঠাইত আশ্ৰয় লৈছিল তেনে ঠাইৰ পৰা তেওঁক বিচাৰি উলিওৱা বৰ টান কাম। বাঘ ভালুক আদি প্ৰকৃতিৰ সন্তানবিলাকেৰে সৈতে প্ৰকৃতিৰ কোলাত হৰদত্তই আশ্ৰয় লৈ কাল কটাবলৈ ধৰিলে।

মানুহৰ সমাজ, মানুহৰ লগ সঙ্গতকৈ বনৰীয়া জন্তুৰ লগ-সঙ্গ তেওঁৰ পক্ষে অতি সুখকৰ হ'ল। ওচৰ-চুবুৰীয়া আৰু বন্ধু-বান্ধৱেৰে পৰিবৃত থাকি তেওঁ মনত যিমান অশান্তি লভিছিল, প্ৰকৃতিৰ বিমল কোলাত হিংস্ৰ জন্তুবিলাকেৰে পৰিবৃত থাকি তেওঁ সিমান শান্তি লভিছিল। পৰ্ব্বতৰ গহ্বৰ, কামৰূপৰ তেওঁৰ ৰম্য ঘৰতকৈও তেওঁ শ্ৰেষ্ঠ জ্ঞান কৰিছিল। আলু-কচু গছৰ ফল-মূল ঘৰৰ মিষ্টান্ন পঞ্চামৃততকৈও তেওঁৰ মুখত সোৱাদ লাগিছিল। দুগ্ধফেন সদৃশ শয্যাত পৰি তেওঁৰ চকুৰ টোপ নহবাকৈ ৰাতি কটাইছিল, কিন্তু এতিয়া সুদা মাটিত তেওঁ মনৰ সুখেৰে শুই টোপনিৰ সুখ লভিবলৈ ধৰিলে। অবিশ্বাসী, মুখে-এটা পেটে-এটা, খোচামোদকাৰী আৰু কপটীয়া বন্ধুসকলৰ মাততকৈও বাঘ-ভালুকৰ গোজৰণি তেওঁৰ কাণত অধিক মধুৰ আৰু বিশ্বাসৰ যোগ্য যেন লাগিছিল। চকুৰ আগতে দেশৰ দুৰৱস্থা আৰু স্বজাতিৰ দুৰ্গতি দেখি থকাতকৈ তেওঁৰ মনত নিৰ্জ্জন অৰণ্যত থকা এশ গুণে শ্ৰেয়ঃ হৈছিল। কেতিয়াবা কেতিয়াবা পৰ্ব্বতীয়া মানুহেৰে সৈতে সাক্ষাৎ হলে সিহঁতৰ সৰলতা, আৰু অমায়িকতাত তেওঁ মোহিত হৈ যায়। এটা ভুটীয়া চৰ্দ্দাৰে সৈতে তেওঁৰ তাতে বন্ধুতাও হৈছিল। সি তেওঁবিলাকক খাবলৈ বস্তু আনি আনি দিছিল, আৰু বৰ পুতৌ কৰিছিল। চৰ্দ্দাৰৰ দুটি ল'ৰা-ছোৱালী আছিল, সিহঁতক চৰ্দ্দাৰে বঘু আৰু পদুমেৰে সৈতে সখি বন্ধাই দিয়াইছিল। ল'ৰাটোৰ নাম কোৰ্ম্মা, আৰু ছোৱালী জনীৰ নাম কুৰ্ম্মী আছিল।

কোৰ্ম্মাৰে সৈতে বঘুৱে, আৰু কুৰ্ম্মীৰ সৈতে পদুমে সখি বন্ধাইছিল। সিহঁত দেখিবলৈ বাহিৰে যেনে হৃষ্ট, পুষ্ট আৰু বলিষ্ঠ, ভিতৰেও তেনে সৰল আৰু সৎ। দেখিবলৈ দুয়ো বগা আৰু শুৱনী। বয়সত কোৰ্ম্মা বঘুৰ সমনীয়া আৰু কুৰ্ম্মী পদুমৰ সমনীয়া। কপটতা আৰু শঠতা কাক বোলে সিহঁতে কব নোৱাৰে। মিছা মৰম, মিছা ভালপোৱা, মিছা বন্ধুতাৰ সিহঁতে ধাৰ নেধাৰে। যাক ভাল পায়, তাক সিহঁতে মৰি-মুজি ভাল পায়, যাৰ সৈতে বন্ধুতা কৰে, তাৰ সৈতে কেতিয়াও নিছিগা বন্ধুতাৰ লোৰ শিকলিৰে বান্ধ খায়। বন্ধুৰ হৈ সিহঁতে নিজৰ ডিঙিটো সদাই আগ কৰি লৈ ফুৰায়।

এনে অৱস্থাত হৰদত্ত আছে। এদিন বীৰদত্তকে প্ৰমুখ্য কৰি তেওঁৰ সকলো মন্ত্ৰীসকলে তেওঁক কলে যে "আমি এই দৰে আৰু কতদিন কষ্ট ভুগি থাকিম-হঁক; কষ্ট দূৰ কৰিবৰ উপায় অৱলম্বন নকৰিলে নহয়। এই অৱস্থাত থাকি যে আহোমৰ বিৰুদ্ধে উঠি আমাৰ দেশ উদ্ধাৰ কৰিব পাৰিম, সি কেতিয়াও নহয়। আমাৰ সৈন্য-সামন্ত লগৰীয়া ছিন্ন-ভিন্ন হৈ নষ্ট হল, আৰু অধিক আপোন শত্ৰুৱে হাত দিলে। এতেকে এনেস্থলত আমি নতুন উপায় অৱলম্বন কৰা নিতান্ত কৰ্ত্তব্য। আমি স্থিৰ কৰিছোঁ, যে আমি পঞ্জাবলৈ গৈ পঞ্জাবকেশৰীৰ শৰণ পশো গৈ। আমাৰ দেশৰ সকলো দুৰৱস্থা তেওঁক জনাই আহোমৰ হাতৰ পৰা তেওঁ ৰাজ্য লবলৈ তেওঁক খাটোঁগৈ। উন্নতমনা দয়ালু মহাবীৰ পঞ্জাবসিংহই অৱশ্যে আমাৰ কথালৈ কৰ্ণপাত কৰিব।"

মন্ত্ৰীসকলৰ এই পৰামৰ্শ শুনি হৰদত্তই কিছুমান পৰ তলকা মাৰি থাকি মেঘগম্ভীৰ স্বৰেৰে কবলৈ ধৰিলে :—"মোৰ মৰমৰ বীৰ আৰু মন্ত্ৰীসকল! তোমালোকৰ মন্ত্ৰণা যে সম্পূৰ্ণ যুক্তিযুক্ত তাত অলপো সন্দেহ নাই; কিন্তু হৰদত্তৰ শৰীৰত প্ৰাণ থাকে মানে এনে কাম কৰিবলৈ তেওঁ তেতিয়াও আগ বাঢ়িব নোৱাৰে। স্বৰ্গাদপি গৰীয়সী জন্মভূমি যে তেওঁ বিশ্বাসঘাতক হৈ এজন বিদেশী ৰজাৰ হাতত সমৰ্পণ কৰিব এনে কথা তেওঁ সপুনতো মনত ঠাই দিব নোৱাৰে। কোনে জানিছে, কি জানি এই কাৰ্য্যৰ দ্বাৰায় তেওঁৰ জননীক বাঘৰ হাতৰ পৰা সিংহৰ হাতত হে পেলায় দিয়া হয়? এক ৰাক্ষসৰ গৰাহৰ পৰা কাঢ়ি নি কিজানি জন্মভূমিক তাতোকৈও এক দুৰন্ত ৰাক্ষসৰ গৰাহত হে পেলাই দিয়া হয়? হায়! এনে ভয়ানক কাম হৰদত্তৰ শৰীৰত একবিন্দু ৰক্ত থাকে মানে হৃদয়ত এক ধনিষ্টামানো মনুষ্যত্ব থাকে মানে, হৈ উঠা অসম্ভৱ। হৰদত্তৰ মাতৃভূমি, নতুন আৰু অচিনাকী পঞ্জাবীৰ হাতত সমৰ্পণ কৰাতকৈ পুৰণি চিনাকি আহোমৰ হাতত এৰি থৈ হৰদত্তই আপোনাক ধন্য মানিব। বন্ধুসকল! হৰদত্তই মাতৃভূমি দুৰাত্মা আহোমৰ হাতৰ পৰা উদ্ধাৰ কৰিব নোৱাৰি আত্মহত্যা কৰিব, তথাপি তেওঁক এনে কাৰ্য্য কৰিবলৈ তোমালোকে নকবা।"

হৰদত্তৰ এই বীৰোচিত কথা শুনি বীৰদত্ত আৰু মন্ত্ৰীসকল নিস্তব্ধ নিমাত হৈ জয় পৰি তললৈ মুৰ কৰিলে। আৰু সেই ভুটীয়া চৰ্দ্দাৰে "মিতা তই ভাল কৈছ, ভাল কৈছ, তই বৰ ভাল মিতা আছে" বুলি প্ৰশংসা কৰিবলৈ ধৰিলে।

নৱম অধ্যায়

পদুম

"With orient pearl, with ruby red,
With marble white, with sapphire blue,
Her body every way is fed,
Yet soft in touch sweet in view,
Heigh ho, fair...........
Nature herself her shape admires;
The gods are wounded in her sight;
And love forsakes his heavenly fires
And at her eyes his brand doth light"—

—T. Lodge

পদুমৰ নিচিনা কুমলীয়া ছোৱালী এজনীৰ পক্ষে ইমানবোৰ বেঢ়ি ধৰা বিপদ সহা অসম্ভৱ। প্ৰথম, যাত তেওঁ প্ৰাণ মন সপিছিল, তেওঁৰ পৰা বিচ্ছেদ। দ্বিতীয়, আপোন দেশ ঘৰ দুৱাৰ এৰি বনবাস। উপজিৱৰে পৰা দুখ কাক বোলে যি নেজানিছিল, যি শান্তি-সুখৰ সুবিমল ছাঁত আলসুৱা হৈ বাঢ়িছিল, তেনে কোমল ছোৱালী এজনীয়ে বাঘ ভালুক আদি হিংস্ৰক জন্তুৰে সৈতে দুৰ্যোৰ অৰণ্যত দুৰ্যোৰ ক্লেশত বাস কৰিব লগীয়া হল। তাৰ উপৰি চেনেহৰ বাপেক দদানেকইঁতৰ ৰাজদ্ৰোহ অপৰাধত কোন সময়ত কি হয় চিন নাই। শত্ৰুয়ে বিচাৰি পিয়াপি লগাইছে, পালেই অঘটন ঘটিব। আৰু ভবিষ্যতলৈ বা নিজৰ কপালত কি আপদ আছে, তাকো তেওঁ কব নোৱাৰে। ইত্যাদি চিন্তাত পদুম জলকা লাগিল। এইবিলাক নিজৰ চিন্তা-ভাৱনাতকৈও তেওঁৰ প্ৰাণৰ সূৰ্য্যৰ বা কি হল এই চিন্তাত তেওঁ একেবাৰেই এধামৰা হৈ আছিল। এতিয়াও যদি তেওঁ কোনো-চিনাৰ মুখেও এবাৰ বাতৰি শুনিব পায় যে সূৰ্য্য ভালে আছে, তেন্তে তেওঁ এই জনমৰ আশা এৰি একেবাৰেই চকু মুদিব পাৰে। লাহে লাহে তেওঁৰ নিজৰ আৰু বাপেক-মাকৰ বিষয়ে চিন্তা, কেৱল এটা চিন্তাত পৰিণত হল যে "সূৰ্য্য ভালে আছে নে ?" "সূৰ্য্য ভালে আছে" এই কথা শুনিবলৈ পালেই পদুমে মহাসুখেৰে এই জীৱন পৰিত্যাগ কৰিব পাৰে। এই দুখময় সংসাৰত আৰু একোলৈকে তেওঁৰ বাসনা নাই; মাত্ৰ বাসনা 'সূৰ্য্যৰ সুখ'। পদুমে এতিয়া মনতে এই সঙ্কল্প কৰিলে যে যি মুহূৰ্ত্ততে তেওঁ সূৰ্য্য জীয়াই থকা বাতৰি শুনিব, সেই মুহূৰ্ত্ততে তেওঁ মনত শান্তি লভি বিহ খাই প্ৰাণত্যাগ কৰি ক্লেশপূৰ্ণ পৃথিবীৰ পৰা নিত্যধামলৈ গতি কৰিব। এই অভি-প্ৰায়ে তেওঁ বিহাৰ আচলত সদাই বিহ এডোখৰ বান্ধি থৈছিল।

ভুটীয়া চৰ্দ্দাৰৰ জীয়েক কুম্মীয়ে যিদিনাখনৰে পৰা পদুমে সৈতে সখি বন্ধালে, সেই দিনাখনৰে পৰা তাই পদুমৰ মৰমতে মৰা হল। ৰাতিৰ কেঁচাঁভহে কুম্মী পদুমেৰে এৰা এৰি হৈ থাকে, ৰাতি পুৱাল বুলিলেই আহি পদুমৰ ওচৰ ওলালহি। পদুমক বেজাৰ কৰি থকা দেখিলে তাই কত বুজাই কত প্ৰবোধ দিয়ে, কত গালি পাৰে। পদুম বাইকৈ কিহত ম্ৰিয়মাণ হৈ আছে, এই কথা কুম্মীয়ে নেজানি পদুমক কয় "ঐ হখি, তুৰনু কিহত আকো ইমানকৈ বেজাৰ তো আৰু ? মুৰ ঘৰেই তুৰ ঘৰ, মুৰ মানুয়েই তুৰ মানু, তুৰ গাওঁতকৈ মুৰ গাওঁত তই থাকি ছখ পাবি; মুৰ হৈতে তই উমলিবি; হৌ পৰ্ব্বতত তয়ে ময়ে উঠিম, ফুল চিঙ্গিম, মলা গিঠিম, তয়ো পিন্ধিবি ময়ো পিন্ধিম; মুৰ গাওঁত হকলুই তুক মৰম কৰিব। মুৰ বাপেকক মুই কৈছোঁ তইঁতিক হোনকালে ইয়াৰ পৰা আমাৰ ঘৰলৈ নিব আৰু হখি, তই আকৌ বেজাৰ নকৰিবি; তই বেজাৰ কৰিলি মুৰো বেজাৰ লাগে, তই কান্দিলি মুৰো কান্দুন আহে।" এইদৰে কুম্মীয়ে পদুমৰ মনৰ বেজাৰ গুচাবলৈ দিনৰ দিনটো কত উপায় উলিয়াই থাকে তাৰ অন্ত নাই। কেতিয়াবা সিহঁতৰ পৰ্ব্বতৰ গীতকে গাব, কেতিয়াবা সাধুকথাকে এটা কব, কেতিয়াবা কিবা এটা বস্তুকে খাবলৈ আনি দিব, কেতিয়াবা বনৰীয়া ফুল চিঙ্গি আনি মলা গাঁথি পদুমৰ খোপাত পিন্ধাইকে দিব; কেতিয়াবা বা সোণপখৰা ধৰি আনি কপালত ফোট পিন্ধাব ইত্যাদি প্ৰকাৰে কুম্মীয়ে পদুমৰ মন ভালে ৰাখিবলৈ যত্ন কৰি থাকে, কুম্মী ওচৰত থাকে মানে পদুমে বং মনে থাকে আঁতৰ হলেই আকৌ শোক-ডাৱৰে পদুমক ঢাকি পেলায়, আকৌ চকুৰ পৰা বেজাৰ-বৰষুণ পৰিবলৈ ধৰে।

দশম অধ্যা

বিপদৰ ওপৰত বিপদ

"One woe doth tread upon another's heel,
So fast they follow.—" —Hamlet

জগতৰ কি অপৰূপ নিয়ম কব নোৱাৰি, ধাৰ্ম্মিক আৰু নিৰ্দ্দোষী মানুহক যত আপদ আছে, সোপাই বেঢ়ি ধৰে। দুষ্টই কত অপকৰ্ম্ম কৰি গা সাৰিব তাৰ ঠিক নাই, কিন্তু সন্তই তেজাৰ সৎপথত থাকি কাৰ্য্য কৰক তথাপি তেওঁ দুখ-জালেৰে মেৰ খায়। জনক-নন্দিনী সীতাই স্বামী ৰামৰ চৰণৰ বাহিৰে একোকে নেজানিছিল, তেনে সাধ্বী সতীৰ দুখতে কাল গল। দময়ন্তীয়ে নো নলৰ চৰণ সেৱি কিমান সুখ পালে ? শ্ৰীবৎসৰ পত্নী চিন্তাৰ নো লৈলৈৰ-থৈথৈৰ কিবা অন্ত আছিল নে ? কবলৈ গলে এনেকুৱা কত আহি আহি আগত উপস্থিত হয়হি যে, এটা এটাকৈ দেখুৱাই গলে শেষ নপৰে। অৱশ্যে আমাৰ চকুত অমিল এনে কথাৰ যে কিবা গুঢ়াৰ্থ আছে তাত অলপো সন্দেহ নাই। ঈশ্বৰে বা কি অভিপ্ৰায়ে তেনে কৰে, আমি বা অল্পমতি মানুহে কি বুজো কোনে কব ? যাক আমি ঈশ্বৰ বোলো, যাৰ নাম দয়ালু, যি সত্য স্বৰূপ আৰু ন্যায়বান, তেওঁৰ ৰাজ্যত অন্যায় অসত্যৰ শেহত নিশ্চয় পতন। ধাৰ্ম্মিক লোকৰ ধৰ্ম্মৰ পৰীক্ষা কৰিবলৈ, ন্যায়বানৰ ন্যায় জুখিবলৈ, সত্যবানৰ সত্যনিষ্ঠাৰ প্ৰমাণ চাবলৈ তেওঁ এনেবিলাক ফন্দি পাতে আমি ক্ষুদ্ৰবুদ্ধি লোকে বুজিব নোৱাৰি তাত ইমানবিলাক দোষ আৰু অনিয়ম ।

সি যি হওক, আমি এতিয়া আমাৰ কবলগীয়া কথা কওঁহঁক। হৰদত্তৰ পতিব্ৰতা স্ত্ৰীয়ে এই অৰণ্যতো অকপটচিত্তে ভক্তিভাৱে আগৰ দৰেই স্বামীৰ সুশ্ৰূষা কৰি আছে। এনেতে এদিন হঠাৎ এক আধান্তৰ মিলিল।

এদিন ৰাতিপুৱা হৰদত্তৰ ঘৈণীয়েক গা ধুবলৈ ওচৰৰে এটি পৰ্ব্বতৰ জুৰিলৈ পদুমক লগত লৈ গৈছিল। জুৰিটিৰ ওপৰত কাষৰ গছ এজোপাৰ ডাল এটা ওলমি জুৰিটোক আবৰি ধৰি আছে; দেখিলে এনেহে বোধ হয় যে গছ জোপাই জুৰিটোক আপোনাৰ বস্তু হেন ভাৱি হাত মেলি সাৱত মাৰি ধৰিহে আছে, কাকো ওচৰলৈ আহিব নিদিয়ে। জুৰিটোৱেও গছৰ বুকুত সোমাই সখে ৰং পাই কুল্ কুল্ কৈ গীত ধৰিছে। চৰাইবিলাকে কোলাহল কৰি চাৰিউফালে উৰি ৰনাই কৰিছে। এনে সময়ত পদুমে গৈতে পদুমৰ মাক পানী আনিবলৈ সেই জুৰিলৈ গৈছিল। পদুমে জুৰিটোৰ ৰং ৰূপ চাই ক্ষন্তেকৰ নিমিত্তে শোক দুখ পাহৰি ওচৰতে ঠিয় হৈ আছে, মাকে ওপৰৰ পৰা কুল্‌কুল্‌কৈ বৈ অহা পানী, কলহ পাতি ধৰিছে। এনেতে সেই ওলমি থকা গছৰ ডালৰ পৰা এটা হিংস্ৰক সাপে মাকৰ তালুতে বৰ খঙেৰে খোট্ মাৰি দিলে। খোট্ মৰা মাত্ৰকে তেওঁ 'পদুম' বুলি লুটি খাই পৰি অচেতন হল। পদুমে 'হায় কি হল।" বুলি চিঞৰ মাৰি তেওঁক সাৱত মাৰি ধৰিলে। কিন্তু কি হব, তেওঁৰ দেহ-সজাৰ পৰা প্ৰাণপক্ষী আৰু পলাল। পদুমে লৰাই-চৰাই দেখিলে যে মাকৰ ধাতু নাই।—পদুম মূৰ্চ্ছিত হৈ পৰিল। অলপ বেলিৰ মূৰত জ্ঞান পাই "আই, পদুমক এৰি কলৈ গলা" বুলি আকৌ মূচ্‌কছ হৈ পৰিল।

হৰি হৰি বিধি! এজনী ছোৱালীৰ নিমিত্তে তুমি কত দুখ থৈছাঁ? তেওঁৰ বুকুৰ ধনটি কাঢ়ি নি তোমাৰ হেঁপাহ নপলাল, সেহত মুখ জুৰাবলৈ মাকজনী আছিল তাকো তুমি কাঢ়ি নিলা? এই বাবেহে তোমাক ক্ৰূৰ বিধি, নিদাৰুণ বিধি, 'কণা গোসাঁই' ইত্যাদি নাম মানুহে দিয়ে।

পদুমে কিছুমান বেলিৰ মূৰত জ্ঞান পালে; কিন্তু এইবাৰ জ্ঞান পোৱা নোপোৱাৰ সমান। পদুম আৰু আগৰ পদুম নাই। পদুমৰ কৰ্ত্তব্য অকৰ্ত্তব্য জ্ঞান শূন্য হল। পদুম পিৰিপ্ কৰে উঠি বিহাৰ আঁচলটো মাটিত পাৰি মাকৰ শটোলৈ চাই কবলৈ ধৰিলে, "আই! মাটিত নুশুবা; মই বিহাৰ আঁচল পাৰি দিছোঁ, ইয়াত শোৱাহি। ছিঃ! ছিঃ! মাটিত কাঁইটে ফুটিব উঠা।" এই বুলি মাকৰ গাত ধৰি সাৱত মাৰি তুলিব খুজি খপ্‌কৰে আকৌ এৰি দি কলে, "আই তোমাৰ চোপনি আহিছে তই থাকাঁ। মই তাহানি তুমি শিকোৱা নাম এটা গাওঁ:—'হে—ৰ কেতেকী কিয় মলেমলা,

তোৰ নো আ—ছে কোন?
হে—ৰ মালতী কি হাঁহি হাঁহিছা,
যেনে পূৰ্ণিমাৰে জোন?'—এইটো নাম

ভাল নহয়, আই আৰু এটা গাওঁ। এইটো নাম ভাল, তুমি শুনি থাকাঁ—

'কুটুমে বান্ধিলে, কুটুমে মাৰিলে,
কুটুমে কুটুমে খালে।
কুটুমৰ তেজেৰে ৰ—ন্তি লগালে,
মজিগা ভকে ভকালে॥'—আই দেউতাক

কৰঁা, সূৰ্য্য 'ল বুলি দেই। আজি মোৰ সখী আহিলে মোক গালি পাৰিব। আই মই তোমাৰ লগতে শোওঁ; তুমি মোৰ ওকনি পেলিকা, মই যোৱা গাওঁ—

'কিমতে ভকতি কৰিবোঁ তোমাত হৰি এ,
মই মূঢ়মতি নেজানো তাৰ উপায়।'—মানুহে

কয় বোলে নাও গছ জোপা আগেয়ে এজনী তিৰুতা মানুহ আছিল। কিন্তু সেইটো কথা পতিয়াবৰ মন নেযায়।" এই বুলি আকৌ খপ্‌কৰে উঠি "আজি দেউতা আহি দেখিলে আমাক খং কৰিব। কতা মোৰ লগত তো সূৰ্য্য নাই, মোক কি খং কৰিব? গল—গল—গল; যাওক; নেলাগে আহিব—ভালে থাওক—কোনে কলে ভালে আছে বুলি? মোৰ আচলৰ আগত বান্ধি থোৱা বস্তুটি আছেনে? —ইঁয়কলি চৰায়টোৱে সেইবা কি কয় অ'?—কেনেকৈ জানিলে?—

'ক্ৰূৰ অক্ৰূ ভৈল বৈৰী,
জীৱ কাঢ়ি নেই কেন কৰি।
পাইৰ গৈয়া নাগেৰী সুন্দৰী,
আউৰ দুনাই নাসিৰন্ত হৰি॥'—আইৰ আজি

টোপনি নেভাগে হবলা। দুখে ভাগৰে লালকাল দেহি অলপ শোৱক। তইঁতে নেমাতিবি, মযো নেমাতো—দেউতাক ধৰিবলৈ মানুহ আহিছে! কতা! মোৰ সখি আহিলে আজি ফুল তুলিবলৈ যাম; ফুল তুলি এধাৰ মলা গাঁথি দেউতাক দিম, এধাৰ ককাইদেউক দিম, এধাৰ আইক দিম, এধাৰ কাক দিম? তেওঁতো নাই! নাই, নাই, এই জুৰিটিত উটাই দিম, সোঁতে লৈ গৈ তেওঁ যতে আছে ততে দিবগৈ। সেই ধাৰ মালা মোৰ মূৰৰ চুলিৰে গাঁথিম, নহলে সূতাৰে গাঁথিলে সূতাডাল পানীত পচি ছিগি যাব পাৰে। পানীত কলহটো উটি গল; গৈ থাক, গৈ থাক, গৈ থাক, সেইপিনি পাবিগৈ। মই কতবা এটা কওঁ মনেৰাৰ পাৰিবিনে?"

পাঠক, সিফালে পদুম আৰু পদুমৰ মাক গা ধুই ঘৰলৈ উভতি নোবোৰা দেখি হৰদত্ত আৰু বধু বিচাৰি আহি এনে সময়ত তাত ওলালহি। অকস্মাৎ আকাশী চৰগ ভাগি পৰা কথা দেখি তেওঁবিলাকৰ যেনে অৱস্থা হল তাক আৰু কোৱাৰ সকাম নাই। অতি কষ্টেৰে হৰদত্তই ধৈৰ্য্য ধৰি সহধৰ্ম্মিণীৰ কাঠসংস্কাৰ কৰিলে আৰু পদুমক সাৱধানে ৰখাৰ ভাৰ সখীয়েক কুন্তীৰ হাতত দি গভীৰ শোকত দিন কটাবলৈ ধৰিলে। ইয়াৰ পাছত আৰু কি ঘটনা ঘটিল কওঁ।

একাদশ অধ্যায়

জালত পহু

"They have tied me to a stake, I cannot fly," —W. Shakespeare

এইদৰে কিছুদিন গৈছে, এদিন স্বভাৱতে চঞ্চল বধুৱে দেউতাকে বুজ নোপোৱাকৈ সখিয়েক কোৰ্ম্মাই সৈতে অলপ আঁতৰ হৈ হাতত ধনু-কাঁড় লৈ পহু মাৰিবলৈ গ'ল। কিছু দূৰ গৈয়েই আগতে এডোখৰ মুকলি ঠাইত এজনী হৰিণী, এটি পোৱালিয়ে সৈতে চৰি থকা দেখিলে। জন-প্ৰাণীৰ অসঞ্চাৰ নিভৃত স্থানত পহুজনীয়ে কেচুৱা পোৱালিটোয়ে সৈতে নিশ্চিন্ত মনে একানোৰ দুকানোৰকৈ ঘাঁহ খাইছে, একো বাৰ ঘাঁহ খাবলৈ এৰি পোৱালিটিক শুঙিছে আৰু চেলেকিছে, আকৌ ঘাঁহত কামোৰ মাৰিছে। অকণমান পোৱালিটিও মাকৰ ঘাঁহ খোৱা দেখি কোমল ঘাঁহৰ কেঁও একোডালিত কেতিয়াবা কেতিয়াবা মুখ দিছে, কেতিয়াবা থাকি থাকি ডেও দি দি একোটা চেকুৰ মেলিছে। দেখিলে মন এনে কৰে যেন সেই চিকুণ পোৱালিটিৰে সৈতে লগ লাগি সেই চিকুণ শ্যাম বৰণীয়া নতুন ঘাঁহৰ ওপৰত ডেও দি দি চেকুৰি চেকুৰি নাচি ফুৰিম। কিন্তু হায়। হিংস্ৰক মনুষ্যৰ ভাগ্যত এনে স্বৰ্গীয় আনন্দ ঈশ্বৰে নিদিয়ে। দুৰ্বৃত্ত দুষ্প্ৰকৃতিৰ মানুহ। তুমি পাপী, তুমি হিংস্ৰক, তুমি লুভীয়া, তুমি কপটী, তুমি চোৰ, তুমি এনে নিষ্পাপ আৰু পবিত্ৰ আমোদৰ ভাগ পাব নোৱাৰা। এই আমোদ স্বৰ্গৰ দেৱতাসকলৰ নিমিত্তে।—পোৱালিটি যদি চেকুৰ মাৰি অলপ আঁতৰ হয়, মাকে তৎক্ষণাৎ ঘাঁহ এৰি তাৰ লগলৈ যায়, শুঙে আৰু চেলেকে।

আমাৰ কঠুৱা বধুৱে সোধ-পোছ নাই খপকৰে আঁৰৰ পৰা পহু-পোৱালিটিলৈ এপাত কাঁড় মাৰি পঠিয়ালে। কাঁড়পাট পহু পোৱালিটিৰ ডিঙিত লাগি সৰকি গ'লত সি চিঞৰ এটা মাৰি লুটি খাই পৰি মৰিল। হৰিণীৰ ব্যাকুলতা আৰু কান্দোন হৃদয়-বিদাৰক আৰু বৰ্ণনাৰ অতীত! এই কাৰ্য্য দেখি ভুটীয়া কোৰ্ম্মাৰো অন্তৰ ব্যথিত হৈ সি বধুক কবলৈ ধৰিলে—"ছখি তই বৰ বেয়া কাম কৰিলি।" পহুজনী পোৱালিটিৰ শোকত ইমান আকুল আৰু আত্মহাৰা হৈছিল যে বধু আৰু কোৰ্ম্মাই হাবিৰ পৰা ওলাই পোৱালিটিৰ ওচৰ পালতো মাক জনীয়ে তাক এৰি আঁতৰ নহৈছিল। আন কি তেওঁবিলাকে পোৱালিটিৰ গাত হাত দিবলৈ গলত তাই তেওঁবিলাকক খুচিবলৈ খেদা মাৰি আহিছিল।

ভূতৰ ওপৰতে দানহ। পাঠক। সেইফালে গছৰ তলেদি হাবিৰ তললৈ চাওকচোন। চাল-তৰোৱাল, আৰু ধনু-কাঁড়েৰে সজ্জিত ভয়ানক মানুহ দুটাই মনে মনে বধুৰ ফাললৈ চাই কি কথা পাতিছে শুনকচোন। সিহঁতৰ হাত আৰু কলাফুল একোটা কি ভয়ঙ্কৰ শকত চাওকচোন। এটাই কৈছে :— "আজি আমাৰ কি ভাল কপাল, যাক বিচাৰি হাবা-শাস্তি হৈ ফুৰিছিলো আজি তাক পালো। এইটো নহয়নে, হৰৰ পুতেক?"

আনটো।—কিয় নহয়, হয়, বহালো; ইয়াক ধৰিব পাৰিলে বাপেককো পালো বুলি থচোন। বৰফুকন ডাঙৰীয়াই, হৰদত্তক ধৰিব পাৰিলে, দিব খোজা বিষয় আৰু বাড়িমাটি লগুৱা-লিগুৰাটো পালো বুলি তই ধৰি থ।

১ম টো।—মই হলে কৈছোঁ, মইহে প্ৰথমতে দেখিছোঁ, সৰহ ভাগ মোৰ।

২য় টো।—বাঘেখোৱা দুয়ো একেলগে দেখিছো, দুইৰো সমান ভাগ।

১ম টো।—কি সমান ভাগ মাৰিবলৈ আহিছ তই অ'? পোনতে মইয়ে তোক দেখুৱা নাই নে?

২য় টো।—বাঘেখোৱা, গছত কঁঠাল ওঁঠত তেল; আগধৰি এঠোন থৰচোন, পাছেও সেইটো কথাৰ হৈ দন্দ কৰি থাকিবি।

১ম টো।—নধৰিলো নো কি? চাচোন এই ধৰিলো।—এই বুলিয়েই খাপৰ পৰা তৰোৱালখন টান মাৰি উলিয়াই লৈ বধুৰ আগত থিয় হৈ কবলৈ ধৰিলে :— ৰাজদ্ৰোহী নৰকী. তই এতিয়া কত পলাই সাৰিবি? তোক মই বন্দী কৰি এতিয়াই বৰফুকন ডাঙৰীয়াৰ ওচৰলৈ লৈ যাম।

অকস্মাৎ বজ্ৰাঘাতৰ নিচিনা এই কথা শুনি বধু ভয়ত অস্থিৰ হৈ সোটমোট খাই পৰিল, আৰু ২য় সৈনিক পুৰুষটোৱে ততালিকে আহি বধুৰ হাত কেটা বান্ধি পেলালে। কোৰ্ম্মাই বধুৰ এই আকস্মিক বিপদ দেখি কাকৰ পৰা দাখন উলিয়াই নিৰ্ভয় চিত্তে সিহঁতৰ লগত যুঁজিবলৈ ধৰিলে।

কিন্তু কি হব, সিহঁত দুটা, কোৰ্ম্মা অকলৈ। ভালেমান বেলি যুঁজি দুইকো ক্ষতবিক্ষত কৰি কোৰ্ম্মা কাতৰ হৈ পৰিল। কোৰ্ম্মাৰ বল ক'মি যোৱা দেখি দুয়ো মহা উৎসাহেৰে ওপৰাওপৰিকৈ তেওঁক আঘাত কৰিবলৈ ধৰিলে। কোৰ্ম্মা এতিয়া মৃত্যু মুখত। প্ৰাণ যাবৰ সময়ত কোৰ্ম্মাই বঘুলৈ চাই এই কেষাৰ কথা কলে :—"হৰি, ; মই মৰো তাত মোৰ বেজাৰ নাই, কিন্তু তুক যে মই ৰাখিব নোৱাৰিলো এই বেজাৰহে মোৰ লগত গল।"

ইয়াৰ পিছত বঘুক বান্ধি সিহঁতে বৰফুকনৰ ওচৰলৈ লৈ গল।

দ্বাদশ আধ্যা

আশা-সূতা

O lovers' eyes are sharp to see,
And lovers' ears in hearing:
And love in life s extremity.
Can lend an hour of cheering"
—Sir. W. Scott.

দুখ-সমুদ্ৰৰ অকুল পানীৰ মাজতো আশা-কাঠ এডুখৰি কেতিয়াবা ওপঙি থকা পোৱা যায় ; নৈৰাশৰ লক্ষ কাঁড়ৰ মাজতো আশা-ছালৰ ফটাছিটা ঢাল এখনি গা ঢাকিবলৈ কেতিয়াবা মিলে। নৈৰাশৰ কেবাটা খাপ। তাৰ শেহৰটো খাপ পালেগে প্ৰকৃত বা সম্পূৰ্ণ নৈৰাশ হয়। সম্পূৰ্ণ নৈৰাশ হলে মানুহ এক মুহূৰ্ত্তও জীয়াই থাকিব নোৱাৰে। মানুহে তেতিয়া জীৱনক এডাল তৃণতকৈও অপদাৰ্থ জ্ঞান কৰে। কিন্তু যেতিয়ালৈকে সেই সম্পূৰ্ণ নৈৰাশ নহয় তেতিয়ালৈকে আশাধাৰী প্ৰাণীয়ে আশাৰ সৰু সূতাডালিতে ওলমি প্ৰাণ ধাৰণ কৰি থাকে। এই সূতাডালিত ওলমিহে ৰাধিকাই এশ বছৰ ব্ৰজনাথৰ আশাত ব্ৰজত প্ৰাণ ধাৰণ কৰি আছিল। এতিয়াও আশাৰে এই সৰু সূতাডালিত ওলমিহে আমাৰ সূৰ্য্যকুমাৰ আৰু পদুম কুঁৱৰীয়ে আজিলৈকে সংসাৰ-চক্ৰৰ নিকাৰ ভুগিও জীৱন ধাৰণ কৰি আছে। তেওঁবিলাক দুইৰো আশা যেন দুয়ো দুইকো এবাৰ চকুৰে চাই এই সংসাৰৰ পৰা বিদায় লব পাৰে। এই আশাটি পূৰ হলেই তেওঁবিলাকৰ এই পৃথিবীত আৰু একো তৃষ্ণা নেথাকে। এই আশাৰ বশৱৰ্ত্তিনী হৈয়েই পদুমে আজিলৈকে আচলৰ গাঁথিছু বিহ বান্ধি লৈ ফুৰাইও খাব পৰা নাই ; আৰু শুকাই হাড়ে-ছালে লগা গা-সজাৰ পৰা প্ৰাণ পক্ষীটিক সূৰ্য্যই উৰাই দিব পৰা নাই।

সূৰ্য্যকুমাৰে যেতিয়া শুনিলে যে বৰফুকনে হৰদত্ত প্ৰভৃতিক ধৰিবলৈ স্বয়ং খেদি যাব, তেতিয়াই তেওঁ বৰফুকনৰ লগত যাবলৈ সংকল্প কৰিলে, পেটে পেটে আশা যদি প্ৰাণৰ পদুমক এবাৰ দেখা পাওঁ। বৰফুকনৰ আগত সূৰ্য্যই আপোন অভিপ্ৰায় জনাওত বৰফুকনে বৰ বঙেৰে তাত সন্মতি প্ৰকাশ কৰিলে। আৰু সূৰ্য্যই যে তেওঁক স্বইচ্ছাতে বিপদত সহায় কৰিবলৈ ওলাইছে এই কথাত তেওঁ বৰ সন্তোষ পালে। সূৰ্য্যকুমাৰ যে এজন সাহীয়াল নিৰ্ভীক পুৰুষ, তীক্ষ্ণবুদ্ধি বৰফুকনে তাক প্ৰথমৰে পৰা অনুভৱ কৰিছিল, এতিয়া সূৰ্য্যকুমাৰৰ এই কাৰ্য্য দেখি, সেই বিশ্বাস তেওঁৰ মনত ডাঠ হল।

দেউতাকৰ লগত প্ৰাণৰ সূৰ্য্যকুমাৰ যুঁজলৈ যাবলৈ ওলাইছে বুলি শুনা মাত্ৰকে ফুল অস্থিৰ হল। যি সূৰ্য্যক এক মুহূৰ্ত্তও তেওঁ নেদেখাকৈ থাকিব নোৱাৰে, যি সূৰ্য্য তেওঁৰ জপৰ মালা, যি সূৰ্য্য তেওঁৰ চকুৰ মণি, হৃদয়ৰ ধন, আচলৰ গাঁথিৰ সোণ, যি সূৰ্য্য তেওঁৰ ভোকৰ ভাত, পিয়াহৰ পানী, চেঁপাহৰ বস্ত্ৰ, যি চকুৰ আগৰ পৰা আঁতৰিলে তেওঁ এন্ধাৰ দেখে, এনে সূৰ্য্যটিক বুকুৰ পৰা আঁতৰাই পঠিয়াবলৈ ফুল সম্পূৰ্ণ অসমৰ্থ। সূৰ্য্য নহলে ফুলৰ থিতাতে মৰণ। কিন্তু কি কৰিব তেওঁতো সূৰ্য্যক 'নেযাবা' বুলি কব নোৱাৰে। আৰু দেউতাকক বা 'সূৰ্য্যক লৈ নেযাব' বুলি কেনেকৈ কয়। সূৰ্য্যক তেওঁ নেযাবা বুলি কলেই যে নেযাব, যোৱা বুলি কলেই যে যাব এনে কথাতো নহয়। সূৰ্য্যই যে তেওঁৰ কথা শুনিব তাৰ নো কি মানে আছে ? সূৰ্য্যৰ ওপৰত তো তেওঁৰ সিমানখিনি ক্ষমতা জন্মা নাই। তেওঁহে সূৰ্য্যক ভাল পায়, সূৰ্য্যইতো আৰু তেওঁক ভাল নেপায়। সূৰ্য্যই যাক ভাল পায় সেই ভাগ্যৱতী তো তেওঁ নহয়। তাৰ বাহিৰে সূৰ্য্য দেউতাকৰ সাহায্যৰ নিমিত্তে ওলাইছে, এনে স্থলত সূৰ্য্যক ৰাখিবলৈ চেষ্টা কৰিলে নিজৰ দেউতাকৰ অপকাৰ কৰাহে হব। তাৰ উপৰি সূৰ্য্যৰ গা বেয়া, হেনহে, তেনহে, এই বুলি কৈ সূৰ্য্যক লৈ যাবলৈ দেউতাকক কবলৈকো সূৰ্য্য আপোনা আপুনি ওলাইছে। তাত আৰু হকা-বধা কৰিলে দেউতাকে তেওঁক কিবাহে ভাবিব। আৰু তেনেষাৰ কথা দেউতাকৰ আগত কবলৈ হলে তেওঁ লাজটো পুৰি খাব লাগিব। এইবিলাক কথা ভাবি ফুল ভালেখিনি বেলি কি কৰিব কি নকৰিব বিমোৰ হৈ আছিল। কিন্তু কোমাল বুদ্ধি সোঁতৰ আগত ভেটা সৰহ বেলি টিকিব নোৱাৰে। ফুল স্বভাৱতে বুদ্ধিমতী ছোৱালী। অৱশেষত তেওঁ দেউতাক আৰু সূৰ্য্যকুমাৰৰ লগত যোৱাটোকে স্থিৰ কৰিলে। ফুলে দেউতাকক কলে "দেউতা, তুমি মোক এৰি যুঁজলৈ যাবলৈ ওলাইছা, মই ইয়াত অকলে কেনেকৈ

থাকিম ? মোকো নে যোৱা। তোমাৰ লগ এৰি তোমাৰ ফুল এখন্তেকো থাকিব নোৱাৰে। তোমাৰ বিপদে আপদে ফুল সদাই তোমাৰ লগতে থাকিব।"

এই কথা শুনি বৰফুকনে জীয়েকক সান্ত্বনা কৰি কলে, "আই, তই কিয় এনেবোৰ কথা কৱ। মই কত হাবিয়ে-বননিয়ে পৰ্ব্বতে-পাহৰে ফুৰিবলৈ ওলাইছোঁ তালৈনো তই যাব পাৰ নে ? চাৰিউ-ফালে ভয়ানক ৰণ-বিগ্ৰহ বিপদ, সেই বিলাকৰ মাজলৈনো তই যাবলৈ সাহ কৰিব পাৰ নে ? মই নাহোঁমানে তই ইয়াতে থাক, তোৰ একো ভয় নাই। অলপো দুখ নেপা, মই সকলোবিলাকৰ সুন্দৰ দিহা পোহা কৰি যাম। তই একো ভয় নকৰিবি। ঈশ্বৰৰ অনুগ্ৰহত মই শত্ৰুৰ অন্ত কৰি সোনকালে উভতি আহিম। যোৱা, মোৰ আই, মোৰ সোণফেৰি"—এই বুলি ফুলৰ মুখখনি ধৰি ফুকনে চমা এটি খাই মূৰটি শুঙিবলৈ ধৰিলে।

ফুলে কিন্তু চকু-লো টুকি আকৌ কলে,—"দেউতা, মোৰ আই নাই, ককাই নাই, ভাই নাই, কেও নাই, কেৱল তুমি আছাঁ, তুমিও মোক এৰি থৈ যাবলৈ ওলালা।" এই কথা শুনা মাত্ৰকে কলীয়াভোমোৰা হেন কঠিনমনা মানুহৰ চকু লোৰে চলচলীয়া হৈ গল। তেওঁ আৰু এটি কথাও ৰবকৈ নকৈ ফুলক লগত যাবলৈ হুকুম দিলে।

আমি আগেয়ে কৈ আহিছোঁ, যে কলীয়া ভোমোৰা বৰফুকন যদিও অতি নিষ্ঠুৰ প্ৰকৃতিৰ লোক তথাপি তেওঁ জীয়েকৰ আগত কমোৱা তুলা। জীয়েকৰ কথা তেওঁ কেতিয়াও পেলাব নোৱাৰে। সংসাৰৰ সকলো জীৱজন্তুৱে যিখিনি মৰম ঈশ্বৰে তেওঁক দিছিল সকলো খিনি তেওঁ সামৰি আনি তেওঁৰ জীয়েক ফুল আইদেউত থাপিছিল। নৈ যিমান বহল হয় সিমান অগাং হয়, যিমান ঠেক হয়, সিমান দ হয়, এইটো প্ৰকৃতিৰ নিয়ম। মৰমৰো সেই গতিয়েই। বৰফুকনৰ মৰমো ঠেক, সেই দেখি দ, গতিকে ফুলেই তেওঁৰ সৰ্ব্বস্ব।

ত্ৰয়োদশ অধ্যায়

বিশ্বাসঘাতকতা

"Blow, blow, thou winter wind,
Thou art so unkind
As man's ingratitude ;
Thy tooth is not so keen,
Because thou art not seen,
Although thy breath be reede.
Heigh ho ! sing heigh her ! unto the green holly;
Most frindship is feigning, most loving is folly"

—W. Shakespeare.

মানুহৰ গতি স্থিতিৰ জগত দুখন ; অন্তৰ্জ্জগত আৰু বহিৰ্জ্জগত। মানুহ বুলিলেই এই দুখনৰ হাত সাৰি চলিব নোৱাৰে। ক্ষন্তেকৰ নিমিত্তে এখনৰ পৰা গৈ তালৈ পাহৰি আন এখনত থাকিব পাৰি, কিন্তু আকৌ তালৈ উভতিব লাগিবই যে লাগিব তাৰ একণো সন্দেহ নাই। অন্তৰ্জ্জগত আৰু বহিৰ্জ্জগতৰ মাজত এখাএৰি নোহোৱা সম্বন্ধ। যত অন্তৰ্জ্জগত, তত বহিৰ্জ্জগত, যত বহিৰ্জ্জগত তত অন্তৰ্জ্জগত। এই দুই জগতৰ সামঞ্জস্যই সুখ। এই সামঞ্জস্য যত নাই তত সুখ নাই, যত আছে তাত সুখ আছে। সুখ সুখকৈ আমি এই পৃথিবীৰ এমূৰৰ পৰা সিমূৰলৈ বাটকুৰি বাই ফুৰিব পাৰোঁ, বাৰিষা ব্ৰহ্মপুত্ৰৰ ভৰা সুঁতি সাঁতুৰি পাৰ হবলৈ লাগি যাব পাৰো, পাতকাই পৰ্ব্বতৰ একুৰি এটা টিঙ বগাই সিফালে ভৈয়ামত নামিবগৈ পাৰোঁ, কোটিকোৱা কাইট পোটা বাটত মাহেকীয়াকৈ সুদা ভৰিৰে খোজকাঢ়ি ফুৰিব পাৰোঁ, কিন্তু আমাৰ অন্তৰ্জ্জগতত যদি সুখ নেথাকে, তেন্তে আমি কেতি-য়াও সুখ নেপাওঁ। অন্তৰ্জ্জগত যদিও অধিক পৰিমাণে বহিৰ্জ্জগতৰ ফল, তথাপি সি বহিৰ্জ্জগতকৈ অনেক ওখ আসনত বহা। মনত সুখ-সন্তোষ নেথাকিলে অমৰাৱতীতো সুখ নাই। প্ৰকৃতিয়ে তেওঁৰ সন্তান-সন্ততি সকলক সমানে আদৰ কৰে, সমানে স্নেহ কৰে, সকলোৰে আগতে তেওঁৰ সদায় সমভাৱ, তথাপি কিয় এই সন্তান-সন্ততিসকলেৰে ভিতৰৰ কিছুমানে এই আদৰক আদৰ যেন জ্ঞান নকৰি, চেনেহক চেনেহ যেন নেভাবি সদায় বিষণ্ণ, সদায় শোকাকুল ? প্ৰকৃতিৰ মোহিনী সাজ কিয়নো কিছুমানৰ চকুত বিহৰ তুল্য ? কিয়বা উষাৰ সেই মধুৰ মূৰ্ত্তি আজি হৃদয়ৰ চকুত অমধুৰ লাগিছে ? কিনবা সেই ৰাঙলী পূব আকাশ তেওঁ কলা পশ্চিম আকাশ যেন দেখিছে ? এখা ডোখৰ ওলোৱা সোণ-বৰণীয়া বেলিটিৰ সেই সোণবৰণীয়া পোহৰ পাই হৃদয় থকা গছৰৰ কাষৰ গছ বিলাকে, মুকুতা মণি একোটি যেন একোটুপী নিয়ৰ পাতত লৈ নাচিবলৈ ধৰিছে, আমাৰ হৃদয়তইও সেই পোহৰ পাইছে, কিন্তু কিয়বা তেওঁৰ হিয়া তাত নাচি উঠক ছাৰি আৰু অৱসন্নহে হৈ পৰিছে ? মধুৰ সুশীতল ৰাতিপুৱাৰ বতাহ কিয়বা তেওঁৰ গাত বিষ যেন লাগিছে ? কিয়বা গান গোৱা চৰাইবিলাকক হৃদয়তই পৰম শত্ৰু যেন বিবেচনা কৰিছে ? কিয়বা তেওঁ ৰাতি পুৱাৰৰ আগেয়ে হাতযোৰ কৰি কাতৰ হৈ ৰাতিক নুপুৱাবলৈ কাকুতি কৰিছে ? কাৰণ হৃদয়ৰ অন্তৰ শোক আৰু চিন্তা-বিষেৰে জৰ্জ্জৰিত, মনত সুখ নাই। প্ৰতিদিনে নৱ-নৱ বিপদ নৱ-নৱ আকাৰে তেওঁৰ

আগত উপস্থিত কৰিছে। সেইদেখি এদিনক বিদায় দি আন এটা দিনেৰে সাক্ষাৎ কৰিবলৈ তেওঁৰ ইমান ভয়। তেওঁৰ মনত নতুন এটা দিনলৈ যোৱা মানে নতুন এটা বিপদত পৰা।

কালিয়েই কোৰ্শ্বাৰে সৈতে বধূৰে কৰবালৈ গল' আৰু উভতি নাহিল, সিহঁতৰ কি হল, কলৈ গল, কি জানি শত্ৰুৰ হাততে পৰিল, ইত্যাদি চিন্তাত হৰদত্ত একেবাৰে আলোড়িত হৈ আছে, আৰু বীৰদত্তই ককায়েকৰ ওচৰতে বহি ককায়েকক চিন্তা নকৰিবলৈ বুজাইছে। তেওঁৰ লগৰীয়া আন আন লোকসকলৰ ভিতৰত কোনোজন শুই উঠিছে, কোনোজন উঠা নাই। কুৰ্শ্বীয়ে পানী একলহ আপুনি কঢ়িয়াই আনি সখীয়েক পদুমক গা ধুৱাবৰ উপায় কৰিছে, এনে সময়তে বহুত দূৰত যেন কিবা এটা শব্দ হৈছে, হৰদত্তৰ এনে বোধ হল। অলপমান বেলি আছে, শব্দটো অলপ স্পষ্টকৈ তেওঁৰ কাণত পৰিবলৈ ধৰিলে। এইটো কিহৰ শব্দ, এই কথা বীৰদত্তই সৈতে কোৱাকুই কৰি অনুমান কৰি থাকোঁতেই লাহে লাহে সেই শব্দটো তেওঁবিলাকৰ কালে অহা যেন পালে। আৰু অলপমানৰ পিছত সেই শব্দটো ঘোঁৰাৰ টাবৰ শব্দ যেন লাগিল। তেওঁবিলাক সচকিত হল। ভাবিলে কোনোবাই তেওঁবিলাকক আক্ৰমণ কৰিবলৈ আহিছে। কিন্তু তেওঁবিলাক বীৰ পুৰুষ; দুখ-শোকত হেজাৰ জুৰুলা হওক প্ৰকৃত বীৰত্বৰ সেই তেজটোপা কেতিয়াও তেওঁবিলাকৰ হিয়াৰ পৰা নেযায়। তৎক্ষণাৎ দুয়ো ককাৰ তিৰবিৰাই থকা চোকা তৰোৱাল দুখন উলিয়াই সাজু হল। কিন্তু হঠাৎ এই আশাতীত বিপদৰ আশঙ্কা দেখি, হৰদত্তই বুকত বান্ধি, বিশ্বাস কৰি, লগত লৈ ফুৰোৱা তেওঁৰ মন্ত্ৰী আৰু লগৰীয়াসকল তৰা-নৰা ছিঙি হাবিৰ মাজলৈ পলাই পত্ৰং দিলে। কুৰ্শ্বীয়ে পদুমক নবালৰিকৈ গছবনৰ ভিতৰলৈ সুমাই নি সাৱটি মাৰি ধৰিলে।

এইখিনিতে আমি অলপ আগৰ পৰা কথাটো ধৰোঁ।

বৰফুকনৰ বণুৱা দুটাই বধূক ধৰি নি বৰফুকনৰ আগত দিলত বৰফুকনৰ ইমান আনন্দ হল, তাক আৰু কৈ অন্ত কৰিব নোৱাৰি। যাক বিচাৰি ঘৰবাৰী আৰু নগৰ এৰি আজি ইমানদিন তেওঁ হাবিয়ে হাবিয়ে খৰলি খাই ফুৰিছে, তাক হাততে পাবৰ উপায় হোৱা দেখি বঙ্গে তেওঁৰ হিয়া চাদি যাব ধৰিলে। যি হৰদত্ত কাঁইটক উভালিব নোৱাৰিলে অকণ্টকা ৰাজ্য তেওঁৰ পক্ষে অসম্ভৱ বুলি ভাবিছিল, "উঠন্তে বোলন্তে আৰু পথত ভ্ৰমন্তে, নিশ্বাস কাঢ়ন্তে, নিশা শয়ন কৰন্তে" যি হৰদত্তই তেওঁৰ চিন্তা বিষয় হৈছিল সেই হৰদত্তক পাবৰ আগন্তুক চৈছে যেন দেখি বৰফুকনৰ মতি সন্তোষ নিলিল। বাস্তৱিক পক্ষে বৰফুকনে হৰদত্তক বিচাৰি ইমান হাৰাবাৰ হৈছিল যে অৱশেষত তেওঁক নেপাওঁ বুলি একেবাৰেই আশা এৰি ঘৰলৈ উলটি যাবলৈ একপ্ৰকাৰ থিৰ কৰিছিল। কত মানুহ কত কালে তেওঁক বিচাৰি পাত পাত কৰি ফুৰিলে কিন্তু কতো তেওঁৰ একো গুংসূত্ৰ নেপাই ফুকন অতি চিন্তিত হৈ আছিল। কেতিয়াবা ভাবিছিল হৰদত্ত এই পৃথিৱীত আৰু জীয়াই থকা নাই, কৰবাত তেওঁক বাঘ-ভালুকে খাই মাৰিলে, নাইবা নিশ্চয় তেওঁ ওলাসহৈছেন। কেতিয়াবা ভাবিছিল কিজানি কোনোবা দেশলৈ গৈ কোনোবা ৰজাৰে সৈতে লগলাগি তেওঁ নতুনকৈ ফৌজ আনি আকৌ যুঁজ কৰিবলৈ আহিবলৈ চেষ্টা কৰিছে, ইত্যাদি নানা প্ৰকাৰ চিন্তাত বৰফুকন অতি ব্যথিত হৈ আছিল। এতিয়া হঠাৎ তেওঁৰ চিন্তাৰ অন্ত পৰিবৰ উপায় হব যেন জানি সেই কাৰ্য্যৰ নিমিত্তে সেই বণুৱা দুটাক বঁটা পিন্ধালে আৰু ঘৰ পাই সিহঁতক মান সৎকাৰ দি ডাঙৰ মানুহ কৰিম বুলি তেওঁ অঙ্গীকাৰ কৰিলে।

বৰফুকন স্বভাৱতে বৰ চালাক আৰু চতুৰ; তেওঁ বেচকৈ জানিছিল যে বধূ হেজাৰ উদ্ধত আৰু পাতল হওক, তাৰ গাত হৰদত্তৰ পবিত্ৰ আৰু বীৰ তেজ অৱশ্যে আছে। সি নিজৰ প্ৰাণ পৰ্য্যন্ত দিব, তথাপি কেতিয়াও বাপেকক শত্ৰুক দেখুৱাই নিদিবে। যদি হৰদত্তক নেপালোৱেই তেনেহলে বধূক ধৰিয়েই বা মাৰিয়েই কি লাভ হব। এই ভাবি তেওঁ নতুন বুদ্ধি গ্ৰজিলে। বধূক পোৱা মাত্ৰকে, তেওঁ নিৰ্ভয় দি এনেকৈ ব্যৱহাৰ কৰিবলৈ ধৰিলে যেন তেওঁ কোনোবা কালৰ মাকৰ ফালৰ কুটুমহে আছিল। বৰফুকনী বুদ্ধিত যত প্ৰকাৰ উপায় হব পাৰে, তত প্ৰকাৰ উপায়েৰে তেওঁ বধূক ভোৱাবলৈ চেষ্টা কৰিবলৈ ধৰিলে। হৰদত্তক তেওঁ কিমান ভাল পাইছিল আৰু পায়, আৰু হৰদত্তৰ বৰ্ত্তমান ব্যৱহাৰৰ নিমিত্তে তেওঁ আন্তৰিক কিমান দুখীত আৰু হৰদত্তক যদি দেখা পায় তেওঁ বিনাদৰিনি দোষ কৰিছে, সকলোখিনি ক্ষমা কৰি আকৌ তেওঁক বুকুত সুমাই লবলৈ তেওঁ কিমান উৎকলিকৃত, ইত্যাদি কথা বধূক বৰফুকনে যিমান পাৰে সিমান বুজাবলৈ ধৰিলে। কলীয়া ভোমোৰাৰ নিচিনা বুধিয়াক 'বৃদ্ধবক' এজনৰ কথাত যে বধূৰ নিচিনা অলপ বুধীয়া মাছ এটা ভুভুলিব ই হবই নোৱাৰে। বৰফুকনৰ কথাৰ অন্তত বধূৱে সুধিলে;—"আৰু ডাঙৰীয়া দেউতাই ধৰ্ম্মক চিয়াই কৈছেনে যে মোৰ দেউতা দদাইদেও আৰু তেওঁবিলাকৰ লগৰীয়া আন লোকসকলৰ ডাঙৰীয়া দেউতাই অপৰাধ ক্ষমা কৰিব?"

এই কথা শুনি বৰফুকনে—"মই এশবাৰ ধৰ্ম্মক চিয়াই শপত খাই কৈছোঁ যে চাৰিঘৰীয়া আহোমৰ ঘৰৰ ল'ৰা হওঁ যদি, মই ধৰ্ম্ম কৰ্ম্ম মানো যদি, মই

নিশ্চয় নিশ্চয় কৈছোঁ যে তোমাৰ দেউতাৰা আৰু তেওঁৰ লগৰীয়া আন আন লোকসকলক মই ক্ষমা কৰিম।"

বৰফুকনৰ এই কথা শুনি বধুৰ মনত বৰফুকনৰ কথাত সন্দেহ কৰিবৰ এক ৰেণু মাত্ৰও কাৰণ নেথাকিল। তেওঁ তেতিয়াই দেউতাকক দেখুৱাই দিম বুলি অঙ্গীকাৰ কৰিলে; আৰু ভাবিলে ঈশ্বৰৰ অনুগ্ৰহত দুখৰ পৰা তেওঁবিলাকৰ উদ্ধাৰৰ বাট ওলাল। সেই ৰাতিটো তেওঁ বৰফুকনৰ লগতে কটাই প্ৰত্যুষে বৰফুকনক নৈ দেউতাকৰ ওচৰলৈ যাবৰ ঠিক কৰিলে।

ইপিনে বৰফুকনে তেওঁৰ লগৰ ৰণুৱাবিলাকক ভিতৰি টেপ দিলে যে "হৰদত্তক পোৱা মাত্ৰকে মোৰ আজ্ঞালৈ অপেক্ষা নকৰি সবংশে আৰু সানুচৰে ধৰি কচু কটাদি কাটিবি।" বৰফুকনে ৰাতি পুৱালতে কুবিজনমান অতি বিশ্বাসী সৈন্যেৰে সৈতে ভোদা বধুক ফুচুলাই বিশ্বাস দি লগত লৈ হৰদত্তৰ ফালে মনে মনে আহিবলৈ ধৰিলে। পেটে পেটে তেওঁ ভাবিছিল, যে শোৱা পাটীতে যাতে হৰদত্তক ধৰিব পৰাগৈ হয়। এতিয়া বৰফুকনহঁতৰ অহা শব্দহে আমাৰ হৰদত্তই শুনিবলৈ পাই সচকিত হৈছে।

হৰদত্ত আৰু বীৰদত্তই তৰোৱাল দাঙ্গি লৈ ঠিয় হৈ এক মুহূৰ্ত্তমান আছে, বধু বৰফুকন আৰু তেওঁৰ ৰণুৱাবিলাক ঘোঁৰাত উঠি তেওঁবিলাকৰ আগত উপস্থিত হলহি। বধুৱে দূৰৰপৰা দেউতাকক দেখা মাত্ৰকে বিঙ্গিয়াই কলে, "দেউতা, তৰোৱাল পেলাওক, বৰফুকন ডাঙ্গৰীয়া মিত্ৰ ভাবেহে আপোনাৰ ওচৰলৈ আহিছে।"

এই কথা কাণত পৰা মাত্ৰকে হৰদত্ত আৰু বীৰদত্ত দুয়ো তৰোৱাল কাঁকত সুমাইছে, এনেতে বৰফুকনৰ ৰণুৱা কেইটাই সৈতে তেওঁবিলাকৰ ওচৰ পালেহিয়েই। পায়েই সোধপোছ নাই ৰণুৱা এটাই দা খনেৰে হৰদত্তৰ ডিঙ্গিলৈ কোৰ মাৰি পঠিয়ালে। হৰদত্তই কিন্তু কোবটো মাৰিবৰ আগেয়ে তাৰ অভিপ্ৰায় বুজি আচৰিত ৰূপে মূৰটো কটায়া কৰি সেই কোবটো এৰাল। গতি বিষম দেখি বীৰদত্তই তৎক্ষণাৎ আকৌ তৰোৱালখন কাঁকৰ পৰা উলিয়াই লৈ বিদ্যা-শৰদে খেদা মাৰি একে কোবেই ককায়েকৰ আক্ৰমণকাৰীৰ মূৰটো ছিঙ্গিলে। বাকী ৰণুৱাবিলাকে দুইকো বেঢ়ি ধৰিলে। বধুৱে এই কথা দেখি 'বিশ্বাসঘাতকতা' 'বিশ্বাসঘাতকতা' কৈ চিঞঁৰিবলৈ ধৰিলে। বধুৰ কথা শুনি বৰফুকনে "ৰাজদ্ৰোহীৰ সন্তান ৰাজদ্ৰোহী! বিশ্বাসঘাতকতা? এই তোৰ পাপৰ পৰাচিত্ত" বুলি বধুৰ বুকুত তৰোৱালৰ চোকা জোঙা আগেয়ে খোচ মাৰি দিলে, বধু ঘোঁৰাৰ ওপৰৰ পৰা বাগৰি পৰিল, মুখেদি হোলোকা হোলোকে তেজ যাবলৈ ধৰিলে। মৰিবৰ সময়ত বধুৱে সেহাই সেহাই এই কেষাৰ কথা বৰফুকনক কলে;—"ঐ বিশ্বাসঘাতকী বৰফুকন, তই বিশ্বাস দি এনেটো কাম কৰিব নেলাগিছিল! তইঁত আহোমৰ যে তলে পুতল এইটো কথা মই এতিয়াহে জানিলো। মই মৰিবলৈ ধৰা সময়ত কোৱা তই এই কেষাৰ কথা মনত ৰাখিবি:—'অসমত অচিৰে আহোমৰ নাওঁ নুমাব, ভেটিত শিয়ালে ঠাই লব, আৰু ধাপত তিতা লাও গজিব, ৰাৱীত বৰহুদূৰে বাঁহ লব। তইঁতৰ নাতি পুতিয়ে লোকৰ গোলামী খাটিও ভাত নেপাব। আৰু বিশ্বাসঘাতকতা মহাপাপৰ ফল তোক ঈশ্বৰে দিব।" এই কেষাৰ কৈয়েই বধুৱে ইহ সংসাৰ পৰিত্যাগ কৰিলে।

হৰদত্ত বীৰদত্তই ভালেখিনি বেলি মহা পৰাক্ৰমেৰে তেওঁবিলাকৰ শত্ৰুৰে সৈতে যুঁজি অৱশ হৈ পৰিল। মহাবলী অভিমন্যুক সপ্তৰথীয়ে বেঢ়ি ধৰাদি তেওঁবিলাকক ১৯।২০ টা যুঁজাৰুৱে বেঢ়ি ধৰিলে; দুটা মানুহে অস্ত্ৰেশস্ত্ৰে সজ্জিত ইমানখিনি মানুহক কি কৰিব। তথাপি তেওঁবিলাকে ৭।৮টা মানক বধি ইমান বেলি আত্মৰক্ষা কৰি আছিল, আৰু নোৱাৰা হল। তেওঁবিলাকক বিপদৰ সময়ত এৰি পলাই যোৱা তেওঁবিলাকৰ লগৰীয়াসকলৰ ভিতৰত যদি পাঁচজনমান মানুহ তেওঁবিলাকক সহায় কৰিবলৈ থাকিলহেঁতেন, তেনেহলে বৰফুকনৰ কি সাধ্য যে তেওঁবিলাকক হৰুৱায় আৰু মাৰে? কিন্তু কি হব? হৰদত্তৰ ফালে বিধি বাম। হৰদত্তই তেওঁৰ অন্তকাল উপস্থিত জানি ঈশ্বৰৰ চৰণত মনোনিবেশ কৰি স্থিৰ হৈ ৰল; শত্ৰুয়ে ওপৰা ওপৰিকৈ তেওঁৰ গাত অস্ত্ৰ প্ৰহাৰ কৰিবলৈ ধৰিলে। অৱশেষত তেওঁ নশ্বৰ দেহ পৰিত্যাগ কৰি য'ত ৰোগ-শোক সংসাৰৰ তাপ নাই তেনে ঠাইলৈ গুচি গল। মৰিবৰ সময়ত তেওঁ কাতৰ স্বৰে "জন্মভূমি!" "জন্মভূমি!!" "জন্মভূমি!!!" বুলি তিনিবাৰ মাতি নিমাত হল! বীৰদত্তইও ককায়েকৰ ওচৰতে পৰি প্ৰাণত্যাগ কৰিলে।

চতুৰ্দ্দশ আধ্যা

আশাৰ পদুম হল

"In vain he weeps, in vain he sighs
Her cheek is cold as ashes
Nor love's own kiss shall wake those eyes
To lift their silken lashes,"—T. Campbell.

আমি এতিয়া অলপ সূৰ্য্যকুমাৰৰ কথা কওঁ।

বধুক পোৱাৰ আগেয়ে কলীয়া ভোমোৰা বৰফুকনে যেনেকৈ হৰদত্তৰ কোনো গুংসূত্ৰ নেপাই একপ্ৰকাৰ নিৰাশ হৈছিল, সূৰ্য্যকুমাৰো সেইদৰে যি আশা কৰি আছিছিল, সেই আশা পূৰ হোৱাৰ আশা নেদেখি এক প্ৰকাৰ নিৰাশ হৈছে। বৰফুকনক হৰদত্তক লাগে, সূৰ্য্যক পদুমক লাগে। হৰদত্ত যত, পদুম তত, গতিকে হৰদত্তক নেপালে সূৰ্য্যৰ আশা বিফল। বধুক যেতিয়া বৰফুকনৰ মানুহে ধৰি নি বৰফুকনৰ আগত দিলেগৈ, তেওঁৰ মুখে যেতিয়া হৰদত্তৰ বাতৰি জানিব পৰা গল, তেতিয়াহে সূৰ্য্যৰ আশা-গছৰ ডালটিত এটি পোখা মেলিলে। সূৰ্য্যই ভাবিলে, ঈশ্বৰে কি জানি তেওঁৰ আশা অলপ মান পূৰ কৰোঁ বুলিছে হবলা। অতদিনৰ মূৰত, বোধহয়, বিধাতাই তেওঁৰ ফালে অলপ চকু মেলি চাওঁ বুলিছে। এই ভাবি তেওঁৰ মুখত অলপ প্ৰসন্নতাৰ পোহৰ দেখা দিলে। সূৰ্য্যৰ মনটো অলপ প্ৰফুল্ল দেখি ফুলৰ আনন্দৰ সীমা নোহোৱা হল। সূৰ্য্যৰ মুখখনিৰ পৰা বিষাদৰ ৰেখা নাইকিয়া হোৱা কেতিয়া দেখিম, এই ভাবনাত যি ফুল সদায় নিমগ্ন সেই ফুলে আজি হঠাৎ প্ৰাণৰ সূৰ্য্যৰ মুখ অলপ প্ৰসন্ন দেখি যে আনন্দ সাগৰত তল নেযাব তাৰ কি মানে আছে? ফুলে ভাবিলে, বুজিবা বিধি অতদিনৰ মূৰত অলপ সদয় হ'ল।

সূৰ্য্যকুমাৰৰ যদিও অনেক দিনীয়া আশা পূৰ হবৰ উপক্ৰম হৈছে বুলি মনত আনন্দ হৈছিল, তথাপি তেওঁৰ মনত হৰ্ষ-বিষাদ সমানে উপস্থিত হল। কাৰণ তেওঁৰ এইটো ভাব হল যে বৰফুকনে হয়তো এতিয়া হৰদত্তক সবংশে ধৰি লটিঘটি কৰি বিনাশ কৰিব। আমি ওপৰত কৈছোঁ যে সূৰ্য্যকুমাৰক হৰদত্তই হেজাৰো আতৰাওক, কেতিয়াও তেওঁ, সৰুৰে পৰা তুলি-তালি ডাঙৰ-দীঘল কৰা হৰদত্তলৈ আৰু তেওঁৰ ঘৰলৈ আহ এৰিব আৰু পাহৰিব নোৱাৰে। হৰদত্তলৈ এতিয়াও তেওঁৰ প্ৰগাঢ় ভক্তি আৰু ডাঠ মৰম আছে। হৰদত্তৰ ঘৰৰ নিমিত্তে এতিয়াও তেওঁৰ হৃদয় ব্যথিত। হৰদত্তৰ বিপদৰ বাবে এতিয়াও তেওঁৰ শৰীৰ পাত! হৰদত্তৰ ঘৰৰ পৰা ওলাই প্ৰথমতে বৰফুকনৰ ঘৰত নিৰুপায় হৈহে তেওঁ সোমাইছিল; বিশেষতঃ তেওঁ হৰদত্ত আৰু বৰফুকনৰ মাজত যে ইমান শত্ৰুতা তাক তেতিয়া নেজানিছিল। পাছত তেওঁ সকলো কথাৰে যেতিয়া ভালকৈ ভেদ পালে, তেতিয়া ফুকনৰ ঘৰৰ পৰা একপ্ৰকাৰ আহিবলৈ অক্ষম। ফুলে তেওঁক স্নেহ আৰু কৃতজ্ঞতা পাশেৰে ইমানকৈ বান্ধিছিল যে তেওঁৰ নিচিনা লোকৰ পক্ষে এই বান্ধ ছিঙি অহা নিতান্ত অসম্ভৱ। তেওঁনো কোনটো সাহেৰে কোনখন মুখেৰে ফুলক কব "ফুল, মই তোমাৰ লগ এৰি আন ঠাইলৈ যাওঁ?" ফুলে তেওঁক ইমমান মৰম কৰে, ইমান যত্ন কৰে, ইমান ভাল পায়, এনে ফুলক তেওঁনো কষ্ট দিব পাৰেনে? কপালত যি আছে সেয়ে হব, তথাপি সূৰ্য্যকুমাৰে এনে কাম কৰিব নোৱাৰে।

কিন্তু যেতিয়া সূৰ্য্যই শুনিলে যে, বৰফুকনে হৰদত্তক একো অপকাৰ নকৰে, বৰং তেওঁ দোষ ক্ষমা কৰি তেওঁৰে সৈতে মিত্ৰতা ডোলেৰেহে আবদ্ধ হবলৈ অঙ্গীকাৰ কৰিছে, তেতিয়া তেওঁৰ মুখত পানী আহিল।

সূৰ্য্যৰ শুকান মন-দুবৰি এতিয়া আশা-নীয়ৰ পাই অলপ ঠন ধৰিলে। শঠ বৰফুকনে যে বিশ্বাস-ঘাতকতাচৰণ কৰি হৰদত্ত প্ৰভৃতিক বধ কৰিবলৈ এই প্ৰবঞ্চনা-জাল পাতিছে তাক সূৰ্য্য আৰু ফুলে সমাজিকতো নেভাবিছিল। প্ৰাণৰ পদুমক দেখা পাবলৈ সূৰ্য্য ইমান ব্যগ্ৰ হৈছিল যে বৰফুকনে তেওঁক ফুলৰ ৰঙীয়া পাতি থৈ নোযোৱাহেঁতেন তেওঁ বৰফুকনৰ লগত সেই ৰাতিপুৱা গলহেঁতেন। "মই এতিয়াই হৰদত্ত প্ৰভৃতিক লৈ উভতি আহিম, ফুলক অকলৈ থৈ যাব নোৱাৰোঁ।" এই বুলি কলীয়া ভোমোৰাই সূৰ্য্যক কৈ তেওঁৰ হাতত ফুলক গতাই থৈ গল।

মনৰ আশা এতিয়া পূৰ হব, মোৰ প্ৰাণেশ্বৰীক এবাৰ হেপাহ পলুৱাই দেখিবলৈ পাম, এই সুখ-সমাজিক দেখি সূৰ্য্য ফুলৰ ওচৰত বহি আছে, ফুলেও সকলো সংসাৰ পাহৰি একান্ত চিত্তে সূৰ্য্যৰ ঈষৎ প্ৰফুল্ল মুখ নেত্ৰ-ভ্ৰমৰেৰে পান কৰি স্বৰ্গ সুখ অনুভৱ কৰি আছে, এনে সময়তে হঠাৎ সূৰ্য্য থকা ঠাইত বাতৰি ওলালহি যে বৰফুকনৰ সৈন্যই হৰদত্ত প্ৰভৃতিক বিনাশ কৰিলে। বাতৰি বজ্ৰাহতকৈও বেগী,—বিশেষকৈ বেয়া বাতৰি। সূৰ্য্যকুমাৰে বজ্ৰাঘাতৰ তুল্য এই বাতৰি শুনি একেবাৰে বলীয়াৰ নিচিনা হৈ, যাৰ মুখে এই বাতৰি শুনিছিল তাক লগত লৈ যত এই ঘটনা হৈছিল তালৈ নিৰশ্বাসে লৰ দিলে। সূৰ্য্যৰ এই অৱস্থা দেখি, কি কৰিম, কি নকৰিম, একোকে নেভাবি ফুলেও তেওঁৰ পাছে পাছে লৰ দিলে। হায়! এই দৃশ্য অতি শোচনীয়, অতি হৃদয়বিদাৰক।

সূৰ্য্যকুমাৰে সেই ভয়ানক ঘটনাস্থলত উপস্থিত হৈয়েই দেখিলে যে এঠাইত বলৰ, এঠাইত হৰদত্ত আৰু বীৰদত্তৰ দেহ তেজেৰে বুৰি পৰি আছে, দুৰাত্মা বৰফুকনে অলপ আঁতৰত ঘোঁৰাৰ ওপৰত উঠি চাই আছে, তেওঁৰ সেনাপতি কুমেদান বঙ্গাল নামেৰে পাষণ্ড এটাই তেওঁৰ প্ৰাণৰ প্ৰতিমা পদুমৰ প্ৰতি অপমান কৰিবলৈ উদ্যত হৈছে। পদুমৰ কিন্তু বাহ্যিক জ্ঞান নাই, কত কি হৈছে কব নোৱাৰে। সখিয়েক কুৰ্মীয়ে ভয়ানক সাহ আৰু বীৰত্ব প্ৰকাশ কৰি তেতিয়ালৈকে সেই পাষণ্ডৰ আক্ৰমণৰ পৰা

পদুমক ৰক্ষা কৰি আছে। ধন্য কুৰ্ম্মী! ধন্য তোমাৰ বীৰত্ব, ধন্য তোমাৰ বিশ্বস্ততা! কোৰ্ম্মাৰ তুমি উপযুক্তা ভনী!

সূৰ্য্যকুমাৰে এই কথা দেখা মাত্ৰকে একে-জাপেই হৰদত্তৰ শৰ ওচৰত পৰিথকা তৰোৱালখন লৈ কুমেদানৰ ওচৰত থিয় হৈ সিংহ-গৰ্জ্জনেৰে কৰলৈ ধৰিলে:—"পাপীষ্ঠ দূৰ হ। সতীৰ শৰীৰ তই স্পৰ্শ নকৰিবি! পাগও তই যদি সেইফালে এখোজ আগ বাঢ়, তেনেহলে এই তৰোৱালেৰে এতিয়াই তোক মই দুডোখৰ কৰিম!" অকস্মাৎ এই কথা শুনি কুমেদান অলপ তবধ হৈ বৈ তৎক্ষণাৎ মাকৌ গাহ গোটাই লৈ মুখেৰে একো নোমাতি সূৰ্য্যৰ ডিঙিৰ ফালে তৰোৱালেৰে কোৰ মাৰি পঠিয়ালে। কিন্তু সূৰ্য্যই অতি কৌশলেৰে সেই কোবটো এৰাই ঘূৰি নিজৰ তৰোৱালেৰে এটা পূৰ্ণহতীয়া কোৰ মাৰি কুমেদানৰ মূৰটো ছিঙি মাটিত পেলালে। অভাৱনীয় কাৰ্য্য দেখি বাকী বৰুৱা কেটা ভয়ত পলাই ফাঁট মাৰিলে। ৰবফুকনে কি কৰিব, কি নকৰিব, বিচুৰ্দ্ধি হৈ যতে আছিল ততে চৰগ-পৰা মানুহৰ দৰে থৰ হৈ ৰল।

কুমেদানক কাটিয়েই সূৰ্য্যই তৰোৱালখন মাটিত পেলাই পদুমৰ ডিঙিত সাৱট মাৰি ধৰি কান্দিবলৈ ধৰিলে। সূৰ্য্যৰ পৰশ পাই তৎক্ষণাৎ জাপখোৱা পদুম ফুলটি মুকলি হৈ পৰিল। পদুমে যেন কিবা সমাজিক দেখি আছিল, হঠাৎ যেন কোনোবাই জগালে। সমাজিক ভাগিলে মানুহে চকু মেলিও কিছুমান বেলি কত আছোঁ, কি কৰিছোঁ একোটা ঠিক কৰিব নোৱাৰে; পদুমেও সেইদৰে অলপমান বেলিলৈ একোটা ঠিক কৰিব নোৱাৰি একে থৰে সূৰ্য্যৰ মুখলৈ চাই আছিল। দুৰ্ঘোৰ এন্ধাৰ ঘৰ এটাৰ ভিতৰত বাতিপুৱা বেলি ওলাই আহোঁতে লাহে লাহে পোহৰ পৰি যেনেকৈ ভিতৰৰ বস্তু সকলো খিনি ওলাই পৰে, সেই দৰে লাহে লাহে পদুমৰ কথাবিলাক যেন কিবা এটা পোহৰ পাই ওলাই পৰিল। পদুমে আগৰ সকলো কথা সুঁৱৰিলে। প্ৰাণৰ সূৰ্য্যক চিনি পাই পদুমে এক মুহূৰ্ত্তৰ নিমিত্তে আপোনাৰ অস্তিত্ব পাহৰি গল, তেওঁৰ হৃদয়-সমুদ্ৰ ক্ষন্তেকৰ নিমিত্তে শাঁত হল, মন জুৰ পৰিল। দুই হাতে সূৰ্য্যৰ ডিঙিত সাৱট মাৰি ধৰি কলে, "প্ৰাণেশ্বৰ, এই অভাগিনীক তুমি আজিলৈকে পাহৰা নাই? হতভাগিনীৰ আজি এই জনমৰ আশা পূৰ হল আৰু একো নাই। প্ৰাণেশ্বৰ, তুমি ইয়াৰ পৰা বেগাই যোৱা, কেনেবাকৈ দেউতাই দেখিব। আইৰ ভাগবত টোপনি আহিছে, আহক, মই নজগাওঁ। সখী মোৰ ওচৰতে আছে।—নৈত উটি যোৱা কলহটোৰ মুখে মোৰ বাতৰি পাই তুমি আহিলা প্ৰাণেশ্বৰ! বেছ হল!"

এই কেথাৰ কথা কৈয়েই পদুমে সূৰ্য্যৰ ডিঙিৰ পৰা হাত এৰি খপ্ কৰে আচলৰ গাঁথিৰ পৰা বিহ ডোখৰ উলিয়াই টপকৈ খাই "সূৰ্য্য মই যাওঁ" বুলি কৈ শুলে। সূৰ্য্যই "হা কি হল।" বুলি পদুমক সাৱট মাৰি ধৰি কান্দিবলৈ ধৰিলে। তৎ-ক্ষণাৎ কান্দোন এৰি গিৰিপ্ কৰে উঠি তৰোৱালখন তুলি লৈ পদুমৰ ডিঙিত বাওঁহাতেৰে সাৱট মাৰি ধৰি, "পদুম! মোকো লৈ যোৱাঁ!" এই বুলি কৈ সোঁ হাতেৰে তৰোৱালখনৰ আগেৰে বুকুত খোচ্ মাৰি দি প্ৰাণত্যাগ কৰিলে।

এইদৰে পদুম আৰু সূৰ্য্যই এই কঠিন বিষময় সংসাৰৰ হাত সাৰি পলাল। এই কথা দেখি কুৰ্ম্মীয়ে "হুখি তই গলি, মই নু কাৰে থাকিবি?" এই এই বুলি সূৰ্য্যৰ হাতৰ পৰা দাখন আনি আত্মহত্যা কৰিলে।

ৰবফুকন অতি আচৰিত হৈ দূৰৰ পৰা এই কথা চাই টিভক্ মাৰি বৈ আছে। তাঁক ফল আইদেৱে এইখন সমাজিক নে কি একো ঠিক কৰিব নোৱাৰি কাঠৰ পুতলাটি যেন হৈ এই ভয়ঙ্কৰ শশাঁনশালিত চৰগ-পৰা মানহ যেন হৈ ঠিয় হৈ আছে।

পঞ্চদশ আধ্যা

ফুল শুকাল

"Strew on her roses; roses
And never a spray of yew!
In quiet she reposes:
Ah! would that I did too"

—M. Arnold

ইমানবিলাক কাণ্ড ৰবফুকনৰ চকুৰ আগতে অলপ সময়ৰ ভিতৰতে হৈ যোৱা দেখি ৰবফুকন ভয়ত এক প্ৰকাৰ বিমোৰ হৈ বৈ আছিল। তেওঁৰ লগৰীয়া বৰুৱাবিলাকে কুমেদানৰ মৃত্যুৰ পাছত পলাই পত্ৰং দিলে, কিন্তু তেওঁৰ প্ৰিয়পাত্ৰ সূৰ্য্যকুমাৰৰ অৱশেষত এনে কাৰ্য্য আৰু অৱস্থা দেখি হঠাৎ তেওঁ একোটো ঠাৱৰাব নোৱাৰি থৰ হৈ আছিল, পলাবলৈ বা আন কোনো উপায় চিন্তিবলৈ তেওঁৰ বুদ্ধি নেখেলালে। তেওঁ এটাইতকৈ আচৰিত হৈছিল সূৰ্য্যকুমাৰৰ পিছে পিছে ফুল লৰি অহা দেখিহে। যি সূৰ্য্যকুমাৰৰ স্বভাৱ চৰিত্ৰ তেওঁ এনে ভাল দেখিছিল, যাক তেওঁ অতি মৰম আৰু বিশ্বাস কৰিছিল, যাক তেওঁ কুলৰ ৰখীয়া পাতি আহিছিল এনে সূৰ্য্য-কুমাৰেই বা হঠাৎ কিয় এনেবিলাক তেওঁৰ স্বপ্নৰ অগোচৰ কাৰ্য্য কৰিলে?

বিশেষতঃ তেওঁ এই কাৰ্য্য ইমান গুপুতে কৰিছিল, এনে স্থলত সূৰ্য্যই বা কেনেকৈ ইয়াৰ গম পালে, সূৰ্য্যক কোনে হৰদত্ত থকা এই ঠাই ডোখৰ দেখুৱাই দিলে ? ইত্যাদি চিন্তাত তেওঁ ইমানখিনি কাল নিমগ্ন আছিল। অৱশেষত ৰুকনে এইটো ভাবি ঠিক কৰিলে যে "সূৰ্য্য অবিশ্বাসী, আৰু শত্ৰু-পক্ষীয় লোক। মই এই সাপক গাপীৰ খুৱাই অতি গৰুৰ কাম কৰিছিলো। আৰু বা ই মোক আগলৈ কি অপকাৰ কৰিলেহেঁতেন তাক কোনে জানিছে ? ঈশ্বৰৰ অনুগ্ৰহত পাপীষ্ঠ আপুনি নষ্ট হল।"

ফুল অতি বুদ্ধিমতী আৰু ধৈৰ্য্যৱতী ছোৱালী বুলি আমি আগেয়ে কৈ আহিছোঁ। অতদিন যি সমস্যা, যি সাঁথৰৰ উত্তৰ উলিয়াব নোৱাৰি তেওঁ ব্যাকুলা হৈ আছিল, আজি তেওঁ সেই উত্তৰ পালে। তেওঁ এতিয়া বুজিলে পদুম কুমাৰীয়েই সূৰ্য্যকুমাৰৰ হৃদয়-আসনৰ অধিকাৰিণী আছিল ; আৰু যি ভাগ্যৱতীৰ ভাগ্য সদায় তেওঁৰ ঈৰ্ষাৰ বস্তু আছিল সেই ভাগ্যৱতীয়েই, মাটিত পৰি থকা, এই পদুম। যি পদুমৰ গুণ যশস্যাৰ কথা লোকৰ মুখে আগেয়ে তেওঁ ইমান শুনিছিল, সেই পদুমেই তেওঁৰ সূৰ্য্যৰ প্ৰাণেশ্বৰী। সি যি নহওক, সূৰ্য্যৰে সৈতে সূৰ্য্যৰ প্ৰাণেশ্বৰীৰ এই জীৱনত যি মিল দেখিবলৈ তেওঁ ইমান আশা কৰিছিল, সেই আশা পূৰ হোৱা দেখি ফুলে অতি শোকৰ মাজতো এক কণিকামান সুখ অনুভৱ কৰিলে।

ফুলে এতিয়া কি উপায় অৱলম্বন কৰিব, তৎক্ষণাৎ সেইটো কথা মনতে পাতি, মনটো স্থিৰ কৈ লৈ ধৈৰ্য্য ধৰি বাহিৰে আবেগশূন্য হৈ দেউতাকৰ ওচৰ চাপিল। ৰৰুকনে জীয়েকক সেই ভয়ঙ্কৰ ঠাইলৈ তেওঁৰ আজ্ঞা পেলাই সূৰ্য্যৰ পাছে পাছে অহাৰ কাৰণ শুধিলত জীয়েকে কলে, "দেউতা, সূৰ্য্যই কাৰবাৰ মুখে অকস্মাৎ কিবা এটা বাতৰি শুনি বলীয়াৰ নিচিনা হৈ লৰি অহা দেখি তেওঁৰ পাছে পাছে মইও আহিলো। মই ভাবিলো, মোৰ দেউতাৰ কৰবাত কিবা বিপদ হৈছে হবলা ; দেউতা তোমাৰ কিবা হব লাগিলে মইনো জীয়াই থাকি কি কৰিম ? তোমাৰ বাহিৰে এই সংসাৰত মোৰ আৰু কোনোবা আছেনে ? তোমাৰ লগে লগে আহি মই দুৰ্ঘোৰ অৰইণ পাইছোঁহি।" জীয়েকৰ এই কথা শুনি ৰৰুকনে শান্ত হৈ কলে, "চাচোন আইদেও, আজিৰ পৰা ঈশ্বৰৰ অনুগ্ৰহত মই শত্ৰুশূন্য হলো। তোৰ সূৰ্য্যকুমাৰৰ কাৰ্য্য দেখিলি ? আমি ভাল সাপটো পুহিছিলো।"

দেউতাকৰ কথা শুনি ফুলে লাহেকৈ কলে, "দেউতা, ঈশ্বৰৰ ইচ্ছাত সকলো হয়।"

আমি ওপৰত কৈ আহিছোঁ, ৰৰুকন ফুলৰ ইমান বশ যে ফুলৰ কথা কেতিয়াও তেওঁ পেলাব নোৱাৰে। ফুলে যিহকে ইচ্ছা কৰে সেই কামটো হেজাৰো তেওঁৰ মনত বিপৰীত হওক তথাপি তাক তেওঁ পূৰণ নকৰাকৈ নেথাকে। ফুলে দেউতাকক কাবৌকোকালি কৰি প্ৰাৰ্থনা কৰিলে যে দেউতাকে যেন তেওঁক সূৰ্য্যকুমাৰৰ আৰু পদ্মকুমাৰীৰ শ দুটা গুৱাহাটীলৈ লৈ যাবলৈ অনুমতি দিয়ে।

জীয়েকৰ এই কথা শুনি ৰৰুকনে অতি বিৰক্ত হৈ কলে, "ফুল, তোৰ এনে কুমতি কেনেকৈ উৎপন্ন হল ? মোৰ মহাশত্ৰুৰ প্ৰতি ইমানটো মায়া ? ৰাজদ্ৰোহী হৰদত্ত, তাৰে জীয়েক এইজনী আৰু সেই ৰাজদ্ৰোহীৰ কলীয়া মানুহ সূৰ্য্যকুমাৰ, এনে মহা পাতকীৰ প্ৰতি তই আদৰ প্ৰকাশ কৰ ? ইহঁতৰ শ চুলে শৰীৰ অপৱিত্ৰ হয়, চালে চকু কলঙ্কিত হয়। শিয়াল, কুকুৰ আৰু শগুণৰ বাহিৰে ইহঁতৰ শ এই পৃথিৱীত কোনে স্পৰ্শ কৰি আপোনাক কলুষিত কৰিব ? ছিঃ ছিঃ ফুল, মোৰ সন্তান হৈ তোৰ মুখত এনে জঘন্য কথা ওলাল ?"

দেউতাকৰ কথা শুনি ফুলে অতি বিনীতভাৱে কলে, "দেউতা, মোৰ অভিপ্ৰায় আগেয়ে বুজি মোক খং কৰক। দেউতাৰ শত্ৰুলৈ মোৰ বিশেষ স্নেহ বা আদৰ থকা বাবে যে মই দেউতাৰ আগত এনে প্ৰস্তাৱ কৰিছোঁ, এনে নহয়, ইয়াৰ অৱশ্যে বিশেষ কাৰণ আছে। কিছুদিন হল, এজন সন্ন্যাসীয়ে মোক এটি মন্ত্ৰ দি কৈছিল, যে মন্ত্ৰত তুমি যদি সিদ্ধ হোৱা, তেন্তে তুমি অনেক অদ্ভুত আৰু অলৌকিক কাৰ্য্য কৰিবলৈ সমৰ্থৱতী হব পাৰিবা। একেলগে আত্মহত্যা কৰা ডেকা-ডেকেৰী শ দুটা আনি যদি তুমি যদি সাধন কৰিব পাৰা, তেন্তে একে দিনাই তোমাৰ এই মন্ত্ৰৰ সিদ্ধি হব। এই কথা কৈয়েই সেই সন্ন্যাসী কৰবালৈ গুচি গল। একে লগে আত্মহত্যা কৰা ডেকা-ডেকেৰীৰ শ পোৱা বৰ টান ভাবি মই অতদিন মনে মনে আছিলো ; কিন্তু এতিয়া ভাগ্যক্ৰমে এই সুযোগ হাতে হাতে মিলিছে দেখি এনে ইচ্ছা প্ৰকাশ কৰিছোঁ ; দেউতাই মোৰ ওপৰত কোনো সন্দেহ নকৰি কৃপাকৈ যদি মোৰ মিনতি ৰাখে, তেনেহলে মোৰ অনেক দিনৰ মনৰ আশা পূৰ হবৰ আগভেদ হয়।"

ফুলৰ মিনতি কৰি কোৱা কথাত দেউতাক ইমান মোহ গল যে তৎক্ষণাৎ তেওঁ ফুলক আপোন ইচ্ছামতে কাজ কৰিবলৈ অনুমতি দিলে।

সেই দিনাই ৰৰুকনে আপোন সৈন্য-সামন্ত লৈ জীয়েকে সৈতে গুৱাহাটীলৈ উভতিল। ফুলে পদুম আৰু সূৰ্য্যৰ মৰা শ দুটা লগতে লৈ গৈ তেওঁৰ

ফুলনি বাৰীৰ ভিতৰতে মৈদাম এটা খনাই পোতালে। মৈদামটোৰ চাৰিওফালে ইটাৰে গড় মৰাই এটিমাত্র বাট ৰখালে। মৈদামৰ ভিতৰলৈ নামিবলৈ এটি বাট খোৱাই জখলা এটা দিয়ালে আৰু সেই বাট ইচ্ছামতে বন্ধ কৰিবলৈ কাঠৰ এখন জাপ-দুৱাৰৰ দিহা কৰালে। গড়টোৰ গাত চাৰিওফালে কলা অপৰাজিতা ফুলৰ গছ ফুলে সৈতে লগোৱাই দি মৈদামৰ ঠিক মাজতে ডাঙৰ কলীয়া তুলসী এজোপা ৰোৱালে। কোৱা বাহুল্য, যে গুৱাহাটী পাবৰ দিনাই ফুলে এইবিলাক কাৰ্য্য সমাধা কৰিলে।

লাহে লাহে বেলি পূব আকাশৰ পৰা পশ্চিম আকাশ পালেগৈ। কাল ৰাতিয়ে প্ৰকাণ্ড বিকট মুখ মেলি পূব কালৰ পৰা পৃথিবী অলপ অলপকৈ গিলি আহিবলৈ ধৰিলে। দেখোঁতে দেখোঁতেই জগত ঘোৰ আন্ধাৰত ঢাক খাই পৰিল। এনে সময়ত ফুলে, কোচত একোচ ফুল আৰু হাতত এটি ঘিউ-চাকি আৰু মালা দুধাৰ লৈ লাহে লাহে এখুজি-দুখুজিকৈ মৈদাম পালে গৈ। মৈদামৰ দুৱাৰখন জখলাইদি নামি গৈ মৃত পদুম আৰু সূৰ্য্যৰ মৰা শ আছে, সেই খিনি পাই সূৰ্য্যকুমাৰৰ মূৰৰ ওচৰতে চাকিটো থৈ তেওঁ ভৰিত পৰি সেৱা এটা কৰি আৰু মুখত চুমা এটা খাই কবলৈ ধৰিলে—"প্ৰাণনাথ! জীয়াই থাকোঁতে মই তোমাক চুমা খাবলৈ আৰু সেৱা কৰিবলৈ নেপালোঁ, সেই দেখি মৰিলতেই হেঁপাহ পলুৱাই চুমা খাই আৰু সেৱা কৰি লওঁ। তোমাৰ প্ৰেম পাবলৈ, মই অভাগিনীৰ, ভাগ্যত নাছিল। প্ৰাণনাথ! তোমাৰ চেনেহৰ পাত্ৰী, পৰম ভাগ্যৱতী পদুমে সৈতে তোমাৰ মিলন দেখিবলৈ মোৰ বৰ হেঁপাহ আছিল। সেই হেঁপাহ পূৰ হল। এই সংসাৰত মোৰ একো আকাঙ্ক্ষা নাই।"

এই কেষাৰ কথা কৈ ফুল নিস্তব্ধ হল। হাতৰ ফুলৰ মালা দুধাৰৰ এধাৰ সূৰ্য্যক আৰু এধাৰ পদুমক পিন্ধাই দি তেওঁ বিলাকৰ গাৰ ওপৰত কোচৰ ফুল-বোৰ চতিয়াই দিলে। তাৰ পাছত সূৰ্য্যকুমাৰৰ ভৰিতে মূৰটো দি শুই দোলডাল টানি জাপ দুৱাৰখন পেলাই ফুল অনন্ত শয্যাত শয়ন কৰিলে।

প্ৰথম প্ৰকাশ :
১৮৩০ শক, মাঘ
১৯০৯ চন, জানুৱাৰী

দ্বিতীয় প্ৰকাশ :
১৮৮৮ শক ; বহাগ
১৯৬৬ চন, এপ্ৰিল

সুৰভি

উৎসৰ্গ

সৰগৰ পোজা তই সুৰভি আইটি,
নিঃকিনৰ ধন,
বিলালি সৌৰভ পিতৃ মাতৃৰ হিয়াত,
আৰু বন্ধুজন।
দুদিনতে সমাপিলি মৰতৰ লীলা,
সপোনৰ প্ৰায়,
ভাঙি নিলি এডোখৰ হৃদয় আমাৰ,
চিৰদিন হায়।
দেৱলোকে তাৰাৰূপে পোহাৰিছ তই,
প্ৰিয় দৰশন,
অকণি হাতত ল উপহাৰ মোৰ,
সুৰভি ৰতন।

"পাপা"।

গীতা

"ধ্যায়তো বিষয়ান্ পুংসঃ সঙ্গস্তেষূপজায়তে।
সঙ্গাৎ সঞ্জায়তে কামঃ কামাৎ ক্ৰোধোঽভিজায়তে॥
ক্ৰোধাদ্ভৱতি সম্মোহঃ সম্মোহাৎ স্মৃতিবিভ্ৰমঃ।
স্মৃতিভ্ৰংশাদ্ বুদ্ধিনাশো বুদ্ধিনাশাৎ প্ৰণশ্যতি॥"

মাঘৰ বিহুৰ দিনা পুৱাই গা ধুই আধা পোৰা মেজি এটাৰ কাষত বুঢ়াৰ কঠ এখনত বহি কাঠৰ হেন্দুলীয়া ঠগা এখনৰ ওপৰত শাঁচিপতীয়া শ্ৰীমদ্ভগবদ্গীতা পুথি এখন মেলি লৈ, সুৰ ধৰি ডাঙৰকৈ শ্লোক মাতি তাৰ অৰ্থ ব্যাখ্যা কৰিব লাগিছোঁ; একান্তমনে গীতাৰ সেই ব্যাখ্যা শুনি মেজিকাষৰীয়া ডেকা-বুঢ়া শ্ৰোতাসকলৰ মন জ্ঞানযোগ, কৰ্ম্মযোগ আৰু ভক্তিযোগত যোগ দৈ ধৰ্মৰ ভাবত লিপিত হ'ব লাগিছে, আৰু তপত ছাই আৰু পকা আঙঠাৰ ভিতৰত দ'বাইতে সুবাই দিয়া সকলোবিধ কেঁচা লোৰা আলু, কাঠ আলু আৰু কেঁচা আপহীয়া বাঁহৰ চুঙাত পুৰি সাঁচি থোৱা ধৰা চাউলৰ পিঠাও লগে লগে জুইৰ আপত সিদ্ধি হব লাগিছে; এনেতে, যাত্ৰী লৈ মোৰ ৰেলগাড়ীয়ে হুহু হুহু কৰি গৈ থাকোঁতে [illegible] কোনো ষ্টেচন পোৱাদি ওপৰত কোৰা শ্লোকটোত উপস্থিত হোৱাহি গ'ল। শ্লোকটো সুৰ লগাই মাতি অঁতাইছোঁ হে মাথোন, হঠাৎ কোনোবাই উচুপি উচুপি কন্দা যেন মোৰ কাণত পৰিল। "কাৰ নো কি হ'ল আকৌ?" বুলি মই মূৰ তুলি চাই দেখিলোঁ যে, ওচৰতে মোৰ ঘৰৰ চোতালৰ কেঁৰাহ চিকুণাই থকা কমেলী বুলি এটাই সেইদৰে কান্দিছে। কি আহুকালৰ কথা! পুথি পঢ়া বন্ধ কৰি কমেলী-টোক কাষলৈ মাতি আনি তাৰ কি হৈছে, কিয় কান্দিছে বুলি সুধিলোঁ। এই খিনিতে কৈ আগোঁৱাহ মাৰি থওঁ যে, জেল দাৰোগাৰে লৈতে বন্দবস্ত কৰি, দিন দিয়েকখানৰ পৰা ৰবকাটকৰ কমেলী গোটাচেৰেকক অনাই মোৰ ঘৰৰ আজি-পদুলি আৰু চোতালৰ ঘাঁহ-বনবোৰ চিকুণাবৰ দিহা কৰিছিলোঁ। সেই কমেলী-টোও সিহঁতৰ ভিতৰৰে এটা। "তোৰ কি হৈছে ক?" বুলি আকৌ তাৰ সোধাত সি উত্তৰ দিলে "দেউতা! হঠাৎ বলীৰ কান্দোন ওলাইছিল, বলীৰ অপৰাধ মৰ্ষণ কৰক।" মই কলোঁ, "কিয় তোৰ কান্দোন ওলাইছিল ক। তই সকবিধি; মই একো নকওঁ; কিন্তু তোৰ কান্দোনৰ কাৰণ [illegible]।"

"দেউতাই যদি জগৰ নধৰো বুলিছে আৰু কবলৈ হুকুম দিছে, তেন্তে কওঁ, শুনক। দেউতাই এতিয়া যে গীতাৰ শ্লোকটো মাতিছিল, সেইটো শুনি মোৰ আগৰ কথা মনত পৰি কিবা এটা ভাব খেলাই হঠাৎ কান্দোন ওলাই গল। বগীয়ে চম্ভালিব নোৱাৰিলোঁ দেউতা।"

মই আকৌ তাক নির্ভয় দি কিয় তাৰ তেনে ভাব হৈছিল, সকলো কথা ভাঙ্গি-পাতি ভালকৈ কবলৈ কোৱাত, সি "দেউতাৰ যি আজ্ঞা" বুলি হাতযোৰ কৰি কবলৈ ধৰিলে।

"দেউতা, মই অধম পাপীৰ ঘৰ পছিমৰ-গোৰা-নিযৰ ত্রিশাত। মোৰ নাম ভগবানদাস বাবাজী। সৰুতে মই সন্ন্যাস গ্রহণ কৰি সন্ন্যাসী হলোঁ। আই বোপাই ইষ্ট-কুটুম্ব মোৰ সকলো আছিল। কিন্তু, মই কাৰো হকাবধা নুশুনি পৰম ধাৰ্ম্মিক অগাধ পণ্ডিত ঈশ্বৰদাস পুৰীৰ ওচৰত মন্ত্র ললোঁ, আৰু তেওঁৰ চেলা হৈ দেশ বিদেশৰ নানা তীর্থ ভ্রমণ কৰিবলৈ ধৰিলোঁ। গুৰুজীৰ মোৰ ওপৰত বিশেষ কৃপা আছিল গুণে মই অলপ কালৰ ভিতৰতে অনেক শাস্ত্রত পঁড়িত হৈ উঠিলোঁ। বেদ বেদান্ত আৰু ষাইকৈ শ্রীমদ্ভাগৱত আৰু গীতাত মই সুনিপুণ হলোঁ। শ্রীমদ্ভাগৱত শাস্ত্র মই পৰম ভক্তি ভাবে পঢ়িলোঁ। আৰু মোৰ শুকান অন্তৰত ভক্তি প্রেমৰ নিজৰা বৰলৈ ধৰিলে। দেউতাই পঢ়া গীতা-শাস্ত্র মোৰ কণ্ঠস্থ আছিল। গঙ্গা, গয়া, কাশী, মথুৰা, বৃন্দাবন, বদৰিকাশ্রম, পুস্কৰ, আন কি ৰামেশ্বৰ সেতুবন্ধলৈকো মই গৈছিলোঁ। এনেতে মোৰ দুৰ্ভাগ্যক্রমে গুৰুজী মহাৰাজৰ দেহান্তৰ ঘটিল। গুৰুৰ পুণ্যৰ ডোকাৰ চাকোন মোৰ মূৰৰ ওপৰত নাইকিয়া হল।

"গুৰুঃ পিতা গুৰুৰ্মাতা গুৰুৰ্দেৱো নসংশয়ঃ।
কৰ্ম্মণা মনসা বাচা তস্মাৎ শিষ্যৈঃ প্রসেব্যতে॥
গুৰু প্রসাদতঃ সৰ্ব্বং লভ্যতে শুভমাত্মনঃ।
তস্মাৎ সেব্যো গুৰুনিৰ্ত্যমন্যথা ন শুভং ভবেৎ॥"

"এনেকুৱা গুৰুহীন হৈ মই কিছুমান দিন পুৰুষোত্তম ক্ষেত্রত থাকি তাতে জনচেৰেক সন্ন্যাসী লগ পাই, পৰশুৰাম কুণ্ডলৈ যাবলৈ বুলি আহি এই কামৰূপ কামাখ্যা ওলালোহি, আৰু ইয়াতে মোৰ শেষ পদস্খলন হল। মোৰ পূৰ্ব্ব প্রাক্তনৰ ফলত এই শাণ্ডৰবৰ্জ্জিত দেশত মোৰ ভৰি পিছলিল, মই দুৰ্ঘোৰ নৰকৰ পল-বোকাত পৰিলোঁ। কেনেকৈ মোৰ সৰ্ব্বনাশ ঘটিল তাক চমুকৈ বগীয়ে দেউতাৰ চৰণত নিবেদন কৰোঁ। মই পৰশুৰাম কুণ্ডলৈ যাবলৈ আহি শিৱসাগৰ জিলা পাই মোৰ গা বেয়া হোৱা বাবে কিছুমান দিন জিৰাবৰ মনেৰে বলিয়াৰাট বোলা ঠাইৰ গাওঁ এখনৰ এটা ৰাজহুৱা নামঘৰত ঠাই ললোঁ। মোৰ লগৰীয়া সন্ন্যাসীবিলাক দুই চাৰি দিনৰ পিচতে মোক এৰি পৰশুৰাম কুণ্ডৰ ফালে গুচি গল। মই মোৰ গা ভাল নোপোৱা বাবে তেওঁলোকৰ লগত যাব নোৱাৰিলোঁ। সেই গাঁৱৰ মানুহবিলাকৰ যত্ন আৰু সেৱা-শুশ্রূষাত এমাহমানৰ মূৰত যদিও মই মোৰ গা টঙাৰ পৰা হলোঁ, তথাপি তেওঁলোকৰ মোলৈ আন্তিক আৰু শ্রদ্ধাৰ ভাব দেখি মই নামঘৰতে নাম প্রসঙ্গ শুনি আৰু কিছুমান দিন থাকিবলৈ মনস্থ কৰিলোঁ। এইদৰে থাকোঁতে থাকোঁতে তাতে প্রায় ছমাহ হলগৈ। মোৰ শাস্ত্রজ্ঞান আৰু ধৰ্ম্মালাপ, বিশেষকৈ বৈষ্ণৱ ধৰ্ম্ম বিষয়ে উপদেশ আদি শুনি গাঁৱৰ সকলোৰে মোৰ ওপৰত ভকতি বাঢ়িল। মোৰ আগৰ পৰা গাখীৰ, কল, কুঁহিয়াৰ, ভাৰ-ভেটী নুগুচা হল। মোৰ শৰীৰ ৰক্ষাৰ নিমিত্তে যিমান খোৱা বস্তুৰ আৱশ্যক, তাতকৈ এশগুণ সৰহ বস্তু মোৰ কাষত গোট খাবলৈ ধৰিলে; আৰু লগে লগে মোৰ ভোজনৰ জোখও নেবাঢ়ি নেথাকিল। ভুৰি ভোজ্য আৰু ভোজনৰ লগতে ভোজ্য বস্তুৰ ওখ আৰু নীহ কুলৰ বিচাৰ কৰিবৰ পৰ্কিতিয়েও মোৰ গাত ঠাই ললে। মাণিকীমধুৰী জহা আৰু গৰুণপখী ধানৰ চাউলে মোৰ জিভাত, সিহঁতৰ ভিতৰত থকা প্রভেদ জ্ঞান উৎপাদন কৰিবলৈ ধৰিলে। মলখু চাউল, মলঙা চাউল, ভাল আটাগুৰি, বেয়া আটাগুৰি, ভাল ঘিঁউ, কৰুৱা ঘিঁউ ইত্যাদি কথাৰ মৰ্ম্মবোধ মোৰ বিশেষৰূপে হবলৈ ধৰিলে। মই নিপনীয়া গাখীৰ খাবলৈ ভাল পাওঁ দেখি এজন বুঢাই মোক এজনী খীৰতী গাই দিলে। গাইজনীত মোৰ মৰম সোমাল; দেখিলোঁ তাইক ঘাঁহ-পানী খুৱাই পতি কৰিবলৈ এটা মানুহ নহলে নচলে। মঙলা বুলি মোৰ ভকত মানুহ এটাই আপোন ইচ্ছাতে সেই কাম কৰিবলৈ গাত ললে, আৰু ময়ো সেই ভাৰ তাৰ গাত দিলোঁ। তাৰ মন পুতি কৰা যত্নত গাইজনীৰ শ্রীবৃদ্ধি হবলৈ ধৰিলে। মঙলাৰ এজনী ভনীয়েক আছিল; তাইৰ নাম চেনেহী। চেনেহী কুৰি বছৰ বয়সীয়া আধিয়ে গাভৰু ছোৱালী। তাই আহি দিনো গাই-জনীৰ গাখীৰ খীৰাই দি যাবৰ ৰাব তাইৰ গাত পৰিল। মঙলাই পথাৰত হাল-কোৰ বাব লগা বাবে কোনো কোনো দিন আহিবলৈ আহৰি নোপোৱা হলে, চেনেহীয়েই মঙলাৰ বাবৰ সকলোখিনি কাম কৰি দি যায়হি। মই দেখিলোঁ, চেনেহীৰ কাম মঙলাৰ কামতকৈ ভালেমান গুণে সুৱলা হয়। আহাৰ-শাওণ মহীয়া পথাৰৰ কামত সৰহকৈ মন দিবলগীয়া হোৱাত, মঙলাই আহৰি একেবাৰেই নোপোৱা হ'ল; আৰু চেনেহীৰ গাতে তাৰ বাব গোটেইটো পৰিল। তেনে হোৱাত ময়ো সন্তুষ্ট হলোঁ। কাৰণ, তাইৰ কাম মোৰ চকুত মঙলাৰ

কামতকৈ চিকুণ যেন লাগিছিল। চেনেহীয়ে গাইৰ গাখীৰ খীৱায়, গোবৰ পেলায়, গোহালি আঁতায়, তাৰ উপৰি মোৰ চৌ মলে, কাঁহী বাটি ধোৱে, আৰু জুহালৰ জুই ধৰি দিয়া আদি কাম কৰে। তাই অতি সন্তৰ্পণে ভক্তি-ভাৱে একান্ত মনে তাইৰ এই বিলাক কাম কৰিবলৈ ধৰিলে; কিন্তু স্পষ্টকৈ গম ধৰিব নোৱাৰাকৈ এখোজ দুখোজকৈ আহি, সংসাৰত্যাগী সন্ন্যাসীৰ শৰীৰত, বিষয়-বিৰাগী বৰাগীৰ গাত, দুষ্ট কলি প্ৰবেশ কৰিলে; বৰাগীৰ মনত বিকাৰ উপস্থিত হল। সন্ন্যাসীৰ শান্তিপূৰ্ণ মনত কৰবাৰ পৰা আহি অশান্তি সোমাল, নিৰুদ্বেগ অন্তৰত উদ্বেগে ঠাই ললে, ঈশ্বৰ চিন্তাৰ ঠাই চেনেহীৰ চিন্তাই বলেৰে 'দখল' কৰিলে। কোনো দিনা চেনেহীয়ে বনবাৰী কৰিবলৈ অহাত পলম কৰিলে মোৰ মন উগুলথুগুল লাগি পৰে, মই সকলো কাম এৰি তাই অহা বাটলৈ চাই থাকোঁ। খোপে খোপে মোৰ মন ঈশ্বৰ চিন্তাৰ পৰা নামি আহি চেনেহীৰ চিন্তাত পৰিল, আৰু শেহত তাৰ পৰা একেবাৰেই উঠিব নোৱাৰা হল। হিচাপৰ বহীত আজি এক অনা চেনেহীৰ ভাবনা, পোন্ধৰ অনা ঈশ্বৰৰ ভাবনা; কাইলৈ চাৰি অনা চেনেহীলৈ চিন্তা আৰু ঈশ্বৰলৈ বাৰ অনা চিন্তা, পৰশুইলৈ চেনেহীলৈ আঠ অনা, ঈশ্বৰলৈ আঠ অনা, তৰশুইলৈ চেনেহীলৈ বাৰ অনা, ঈশ্বৰলৈ চাৰি অনা; এইদৰে জমা খৰচৰ বঢ়া টুটা হৈ হৈ শেহত ঈশ্বৰৰ চিন্তাৰ ঘৰত শূন্য আৰু চেনেহীৰ চিন্তাৰ ঘৰত ষোল অনা জমা হ'ল গৈ। ঈশ্বৰ-চিন্তা-পুখুৰীৰ পানী কলিয়ে লেহতীৰে সিঁচি চেনেহী চিন্তা-পুখুৰীত ভৰালে। ঈশ্বৰ-চিন্তা-পুখুৰীৰ পানীৰে চেনেহী-চিন্তাৰ-পুখুৰী ভৰিল আৰু সেই পাৰমাৰ্থিক পুখুৰী শুকাই সাংসাৰিক পুখুৰী চপচপীয়া হ'ল। সন্ন্যাসীৰ মনৰ ধৰণী ভাগিল, খুটা উভলিল, ভৰিৰ তলৰ বৰপীৰাৰ খুৰা ভাগিল। বাবাজী ভগৱান দাস, কাকিনি তামোল গছৰ আগৰ পৰা তামোল চোৰে পাৰি তললৈ পেলাই দিয়া পকা তামোলৰ থোকা পৰা দি তলত পৰিল। গুৱালৰ জীয়াৰী গুৱালনী "চেনেহী মোৰ জপৰ মলা অতি যতনৰ ধন। চেনেহী বিনে আৰু কোনো নাই বাবাজী শ্ৰীচৰণ॥" হল। দেখোঁতে দেখোঁতেই মোৰ বহুকলীয়া শুকান সুঁতিত এদিন কৰবাৰ পৰা বৰ ঢল আহি চেনেহীৰ যৌৱন-সৰ্ব্বস্বৰ ভৰাৰে ভৰপূৰ নাও কাচি ছিঙি উটাই লৈ গুচি গল। লাহে লাহে মোৰ গতি-গোত্ৰ চলন-ফুৰণ আচাৰ-ব্যৱহাৰৰ পৰিবৰ্ত্তন ঘটিল আৰু সি লোকৰ চকুত পৰিবলৈ সৰহ দিন নেলাগিল। চেনেহীৰে সৈতে মোৰ অবৈধ প্ৰণয়ৰ কথা প্ৰথমতে লোকে বী-বী-বা-বা কৰিবলৈ ধৰিলে, তাৰ পিছত মুখ কুটাই কবলৈ ধৰিলে। গতি বিষম দেখি চেনেহীৰ ককা-য়েকে চেনেহীক মোৰ ওচৰলৈ আহিবলৈ হাক দিলে। তাইৰ অহা বন্ধ হ'ল। মই অধৈৰ্য্য হৈ পৰিলোঁ। বিচ্ছেদ যন্ত্ৰণাত মই ছট্‌ফট্ কৰিবলৈ ধৰিলোঁ। শেহত মোৰ অসহ্য হৈ উঠিলত এদিন এখোজ-দোখোজকৈ চেনেহীৰ ঘৰ ওলালোগৈ। তাইক তাই মোৰ কাষলৈ নহাৰ কথা সুধিলোঁ। তাই কলে 'ককায়ে হাক দিছে।' মই কলোঁ, 'ককায়েৰৰ হাক নুশুনিবি।' তাই উত্তৰ দিলে 'নুশুনি নোৱাৰোঁ। গাৱঁৰ মানুহে আমাক বেয়া বুলিছে। তেওঁলোকে আমাক এঘৰীয়া কৰিব খুজিছে। আকৌ তোমাৰ গুৰিলৈ গলে ককায়ে মোক ছোৱা-ছোৱাকৈ কাটিব বুলি কৈছে।' এই কথা শুনি মই খণ্ডত বলিয়া হলোঁ; মোৰ হিতাহিত জ্ঞান শূন্য হ'ল। দৈৱ দুৰ্ব্বিপাকত এনে সময়তে চেনেহীৰ ককায়েক পথাৰৰ পৰা ভাত ওলালহি। সোধপোচ নাই, সিহঁতৰ চ'তালত মেলি দিয়া ঢোখোৰা খৰি এডাল মই তুলি লৈ তাৰে তাৰ মূৰত এমাৰ লগাই দিলোঁ। একে মাৰতে তাৰ মূৰটো ফাটিল, আৰু সি মাটিত ধুপুৰ কৰে পৰি মৰি থাকিল।

"সেই অপৰাধতে, দেউতা মোৰ এই দুৰ্দ্দশা। পাঁচ বছৰ কঠোৰ পৰিশ্ৰমেৰে সৈতে মই ফাটক খাটিবৰ হুকুম হ'ল। তাৰে তিনি বছৰ উকলিছে, আৰু দুবছৰ আছে। দেউতাই যেতিয়া গীতাৰ সেই শ্লোকটো পঢ়িছিল, তাৰ মানেটো সম্পূৰ্ণৰূপে মোৰ গাত খাটিছিল দেখি মোৰ কাপোন ওলাই গল। মই ধৰ্ম্ম আৰু ঈশ্বৰ চিন্তা এৰি এখোজ দোখোজকৈ বিষয় চিন্তাত আগবাঢ়ি শেহত বিষয়ত মোৰ সম্পূৰ্ণ আসক্তি জন্মিল। আসক্তিৰ পৰা মোৰ মনত কামনা অৰ্থাৎ ইন্দ্ৰিয় চৰিতাৰ্থৰ বাসনা আহিল আৰু তাৰ ব্যাঘাতত ক্ৰোধৰ উদ্ৰেক হ'ল, ক্ৰোধৰ পৰা মোহ অৰ্থাৎ হিতাহিত জ্ঞান-শূন্যতা, আৰু মোহৰ পৰা স্মৃতি-বিভ্ৰম অৰ্থাৎ স্মৃতিভ্ৰংশ হ'ল আৰু স্মৃতিভ্ৰংশ হোৱাৰ বাবে বুদ্ধিনাশ ঘটিল, আৰু তাৰ ফলত মই নৰহত্যা পাতকত পৰিলোঁ, মোৰ সকলো নষ্ট হ'ল।"

কয়েদীটোৰ এই বৃত্তান্ত শুনি মই অলপমান বেলি টভক মাৰি থাকি, লাহেকৈ পুথিখন সামৰি থলোঁ। তাক আৰু তাৰ লগৰীয়া কয়েদী কেইটাক তেতিয়াই সিহঁতৰ গোটেই দিনৰ হাজিৰাৰ ধন দিবলৈ গাত লৈ বিদায় দিলোঁ।

ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ

"আইটী শয়নি থ'। মাৰক ক, আজি আঞ্জাত লোণ দিবলৈ পাহৰিলে। ভাত এগাল খাবলৈ আহিলে সদায় এনেবিলাক আহুকাল। ক, সাগি খাবলৈকে অলপ লোণ লৈ আহিলে ভাল।" হাকিম

ভিৰধৰ বৰুৱা মুনচুপে পুৱা দহ বজাত ভাতৰ পাতত বহি এগৰাহ ভাত মুখত দি এই কথা কোৱা মাত্ৰকে, ঘাৰৰ সিফালে আখলৰ চকৰ কাষৰ পৰা হাকিমণী মুনচুপনীয়ে ঠেহেৰ কৰে মাত লগালে,— "আমি ৰান্ধিলে আঞ্জাত লোণ নহয়, ভাত আধা-কুটা হয়, মাছ কেঁচাই থাকে, কিবা বোলেনে চেকন্দাৰ ঠাৱি নিসিজে। ৰান্ধনি বামুণ নাইবা 'খানচামা' নেৰাখে বা কিয়? সিহঁতে ৰান্ধি দিলেই দেখোন জুতি ধৰি খাব পাৰে; আৰু কিবা বোলেনে গোলামীজনীয়েও 'ছুটি' পায়।"

হাকিম।—"উস! এইটো ভয়ঙ্কৰ কথা দেখিছোঁ যে, আঞ্জাত লোণ নহলে নাই হোৱা বুলি কব নেপায়; ভাত দেই গলে বা শুকাই কৰ্কৰা হলে দেই গল বা কৰ্কৰা হ'ল বুলি কব নেপায়। গাধীৰ কুকাচিলে কুকাচি গল বুলি কব নেপায়, ল'ৰা-ছোৱালীক কন্দুৱালে কিয় কন্দুৱাইছ বুলি সুধিব নেপায়। এনে কথা কত আছে, কত দেখিছা। মোৰ ঘৰত মই কোনো নহওঁনে? এইখন ঘৰৰ গৰাকী কোন? এইখন মান-মৰাণৰ মল্লুক হল নেকি?"

হাকিমনী।—"এৰা এইখন মান মৰাণৰ মল্লুক হল; মই মাননী মৰাননী হলোঁ! মই আজিৰ পৰা ভাত ৰান্ধিব নোৱাৰোঁ, নেৰান্ধো, সকলোকে কৈ দিলোঁ। আজিৰ পৰা কোনে মোৰ হতুৱাই ভাত ৰন্ধাই খায়, তাকো দেখিম। বোলোঁ দেখিম, দেখিম, দেখিম! বোৱাৰীয়েকহঁতে এগাল ৰান্ধি ভৰিৰে গৰাই দিলে তেতিয়া সকলোৱে হেঁপাহ পলুৱাই খাব।"

হাকিম।—"কি কলি পাষণ্ডী। পাপিষ্ঠি! তোৰ ইমান মুখ বাঢ়ি গৈছে!" এই বলি ভিৰধৰ বৰুৱা মুনচুপ ডাঙৰীয়া হাকিমে কাঁহীৰ ভাত কাঁহীতে এৰি, চুৱা হাতেৰেই ঘৈণীয়েক মুনচুপনী হাকিমনীক ভালকৈ এখুন্দা দিবলৈ গোণা মহে চোঁচা লোৱাদি চোঁচা ললে। পুতেক শূলধৰ তোজিনৰিচ ডেকা-বৰুৱাগো বাপেকৰ ওচৰতে বহি, পেট নামে, ভু ভাৰতত জনম লোৱা সেই নিজা ছালৰ মোনাত একান্তমনে গৰাহে গৰাহে ভাত খাব আছিল। কিন্তু কথা বিসঙতি হ'ল যেন দেখি তেওঁ একে চাৰেই উঠি বাপেকৰ ভৰিত সাৱট মাৰি ধৰিলে; আৰু ডাঙৰীয়াৰো মত্ত চৰা মখনা হাতীয়ে উচাল মাৰি ভৰিৰ বান্দা চিঙাদি পুতেকৰ সেই হাতৰ বান্ধ চিঙি যাব খোজোঁতেই মাটিত গুৰিকঠালটো পৰাদি হামকুৰিখাই পৰিল; আৰু তাৰ ফলস্বৰূপে তেওঁৰ মুখৰ চিকচিকীয়া আগদাঁত এটা চিৰকালৰ ভাগি থাকিল। তাৰ উপৰিও ঘিঁউ চেনি ভিজনলৈ মুখুৱা আৰু ভিজা মাত বাহিৰলৈ উলিওৱা তেওঁৰ ৰঙ্গ-মুলীয়া ওঠখন কাটি তৰপৰা বোগানলে তেজ বৰলৈ ধৰিলে। ডাঙৰীয়া মূচকছ গল। কন্তেকতে ঘটনাটো গৈ গুৰুতৰ হ'ল দেখি চাৰিওকালৰ পৰা লগুৱা-লিকচো চেকেলা-ৰেঙেনা য'ত যি আছিল আটাইবোৰ লৰি আহি ডাঙৰীয়াক তুলি ধৰি বহুৱাই তেওঁৰ মূৰত তেল পানী দি বিছিবলৈ লাগি গল। ডাঙৰীয়ানীয়েও কি কৰোঁতে কি হল দেখি, আখাৰ আৰু খঙৰ আণ্ঠাবোৰত হবহৰ কৰে পানী চালি দি, "অ, মোৰ ভৈয়াইৰ কি হল ঔ। মোৰ ভৈয়াইক হাতভে হেকৰালোঁ নে কি ঔ।" বুলি বাউচি মাৰি দি উধাতু খাই লৰি আহিল।

কিছুমান বেলিৰ মূৰত ডাঙৰীয়া সুস্থ হল। ঘৰত মুনচুপ ডাঙৰীয়া আৰু বনত দাঁত ভগা ফেটাসাপ এই দুইৰো মাজত কি কি বিষয়ত মিল আৰু কি কি বিষয়ত অমিল, সেই কথাৰ বিচাৰ কৰিবলৈ ডাঙৰীয়াই শত্ৰুক সুবিধা দি, লাহে লাহে চেঁচা পানীৰে নিজৰ মুখ ধুই, ভগা দাঁতৰ গুৰিৰ আৰু কটা ওঁঠৰ আগৰ তেজ ৰখাই কছাৰীলৈ যাবলৈ ওলাল। ওলাল মানে গলেই বুলিব লাগে; কাৰণ, বেলি দুপৰ হৈ গৈছিল দেখি খৰখৰকৈ তেওঁ যাবলৈ বাধ্য হৈছিল, মাথোন বাটত হঠাৎ ডাঙৰীয়াৰ আগত পৰি, তুৰাই তৰণিয়ে ভৰিত বুট জোতাৰে সৈতে ডাঙৰীয়াক 'চেলাম' কৰাত, তুৰাইক "কুকুৰৰ পো কটা" বুলি ডাঙৰীয়াই গালি পাৰি এখুন্দা দিব খোজাত হে যি অলপ অচৰপ পলম হৈছিল। সি যি হওক, ধুমুহা বতাহৰ কোবত ডাৱৰ উৰি যোৱাৰ পিছত বদ বেঙোৱাৰ দৰে সেই দিনাৰ দুৰ্যোগ কাটি গল। হাকিম ডাঙৰীয়া এজলাচত বহিল আৰু তেওঁৰ মুখত সুখৰ বেঙনি ওলাল। কিন্তু দুৰ্ঘোৰ ধাৰিষা কালত বেঙোৱা বদ ক্ষন্তেকীয়া হোৱাৰ দৰে সেই বেঙনিও ক্ষন্তেক থাকি মাৰ গল। হাকিমে কাপ লৈ কিবা কাকত এখন চহি কৰোতে দেখিলে যে, কাপৰ মুখখন কাকতত চেৰ্চেৰাই গৈছে। হাকিমে সেই চেৰ্চেৰণিটো কাকতে কাপৰ ওপৰত কৰা গোচৰ বুলি ধৰি লৈ তৎক্ষণাত কাপৰ 'জৱান-বন্দী' লৈ চুমাৰি বিচাৰ কৰি কাপটোক কলীয়া-পানীলৈ পঠিয়ালে, আৰু কাপ আচামীৰ সহায়ক বুলি বামগোলাম দপ্তৰীক ৫ টকা জৰিমনা কৰিলে। বাৰ বাজি পোন্ধৰ মিনিট হৈ গল, তেতিয়াও মিনাবাম পেচকাৰে মকৰ্দমাৰ নথিবোৰ হাকিমৰ আগত দিয়াহি নাই। মিনাৰামৰ কামত বৰ "গাফিলী" বুলি হাকিমে তেওঁক এমাহৰ দৰমহা জৰিমনা কৰিলে।

ইয়াৰ পিচত এটা ছোৱালী চুৰি মকৰ্দমাৰ নথি হাকিমৰ হাতত পৰিল; আৰু "আচামী কৰি-য়াদীৰ কোকাৰ হল।" কৰ্চাচিং কৰিবলৈ ভুলকৈ "কোকাবিলে" "জৰবাৰ কলিজ আচামী হাজিৰ!"

পেচকাৰে লাহেকৈ ৰ্ফচাচিঙক ক'লে, "জয়ৰাম কলিতা নহয়, জিৎৰাম কলিতাহে।" ৰ্ফচাচিঙৰ দুৰ্ভাগ্যৰ গুণে লাহেকৈ কোৱা কথাষাৰো হাকিমৰ কাণলৈ গল। হাকিমে তেতিয়াই ধৰি ৰ্ফচাচিঙক "চচপেণ্ড" কৰি থলে। মকৰ্দ্দমাত জিৎৰাম দোষী প্ৰমাণ নাই হোৱা বুলি জিৎৰামৰ পক্ষৰ উকীল বিদ্যাৰাম শইকীয়াই কৈ দীঘলকৈ বক্তৃতা মেলিব খোজোঁতেই উকিলক "চুপৰও" বুলি হাকিমে ভেকাহি মাৰি দি জিৎৰামক তিনি মাহলৈ ফাটকত দিবলৈ হুকুম দিলে। বিদ্যা উকিলে আকৌ কিবা কব খোজাত "আদালত অৱমাননা" বুলি হাকিমে উকিলক কুৰি টকা জৰিমনা কৰি সেই গোচৰৰ সেইখিনিতে সামৰণি মেটা মাৰিলে।

কুগ্ৰহে পোৱা হাকিমৰ কথা আমি এইখিনিতে এৰি দুৰ্ভগীয়া পেচকাৰৰ কথা কওঁ। গধূলি বেলিকা পেচকাৰে এবোকোচা মনৰ দুখ কছাৰীঘৰৰ পৰা ভাৰ বৈ ঘৰলৈ আনি, তেওঁক হাত মুখ ধুবলৈ পানী এলোটা দিয়াত নাম মাত্ৰ পলম হোৱাত, আৰু তাৰ পিছত ধঁপাত এচিলিম লগাই দিবলৈকো তেনে হোৱাত, লগুৱা ল'ৰাটোক ঠলামুৰীয়াই দিলে। অন্যায় দেখি আৰু গিৰিয়েকৰ সেই দিনাৰ মানসিক অৱস্থাৰ বিষয়ে এক্কো সম্ভেদ নেজানি, পেচকাৰণীয়ে লগুৱাটোৰ হৈ একেষাৰ মতাত, পেচকাৰে পেচ-কাৰণীৰে সৈতে ঢেঁকীথোৱা এটাৰ নতুন বিধৰ চিনাকি কৰি দিব খোজোঁতেই টেঙৰী পেচকাৰণীয়ে লৰ মাৰি কলাৰাৰীত সোমাই নিজৰ প্ৰাণ আৰু নীতি-শাস্ত্ৰৰ মান ৰক্ষা কৰিলে। কিন্তু অৰসিক লগুৱাটোৱে পেচকাৰ ডাঙৰীয়াৰ লপা-থপা কিল কেইটাক গুৰুলাগুৰুল কিলৰ শাৰীত পেলাই তেতিয়াই নিজৰ লাম্‌লাকটু কেইডাল লৈ পেচকাৰক ঘৰতে এৰি থৈ গুচি গল; লাভৰ ভিতৰত লগুৱাৰ অভাৱত পেচকাৰণীয়ে এমাহলৈ চুৱা ধুৰ লগীয়াত পৰিল; আৰু পেচকাৰে স্বহস্তে তিয়নী চেপা, ধঁপাত লগোৱা আদি কাম নথিবে সৈতে সমানে পেচ কৰিব লগীয়া হ'ল।

ৰ্ফচাচিং কনিষ্টৰলে গঁচাসঁচিকৈয়ে "ছছ্‌পেণ্ড" হৈ ছাপৰাছ পাণ্ডৰি গোধাই দি মনৰ দুখত মদৰ দোকানত সোমাই টেটুলৈকে এটেটুকৈ মদ খাই মতলীয়া হৈ তাতে আৰু এটা মতলীয়া মানুহেৰে সৈতে প্ৰথমতে কোলাকুলি দ্বিতীয়তে গলিয়াগলি তাৰ পিচত মৰামৰি আৰু শেহত ধুৰ কলাকলি কৰি আপতান পালেগৈ আৰু দণ্ডবিধি আইনৰ ৩৫২ ধাৰা মতে তাৰ ওপৰত গোচৰ "ৰিজু" হল।

তুৱাই তৰণিৰ ছোৱা শুনিলে গাৰ জাণি হেৰাবৰ কথা। ৰাজআলিত বাটৰুৱা মানুহৰ আগত ওপৰত কৈ অহাৰ দৰে তেওঁ অপমান আৰু লাজ পাই ক্ৰোধত জৰ্জ্জৰিত হৈ মূনচুপ ডাঙৰীয়াৰ নামে হুৰমতৰ দাবীৰ গোচৰ কৰিবলৈ বাবেৰুগুলুৱা ভাষাত আৰ্জ্জি এখন লিখি লৈ তেওঁৰ গৰাকী উকীল ত্ৰাহিৰাম শৰ্ম্মাক দেখুৱালে। ঘটনা গুৰুতৰৰ কালে অহা দেখি উকীলে তুৱাইক তপত-চেঁচা অনেক বিধৰ কথাৰে সেঁকিপূটকি শান্ত কৰি কোনো মতেহে সেই আৰ্জ্জিখন দাখিল নকৰাকৈ ৰাখিলে। কিন্তু, কৰ্কাঁলৰ কোব নেপাহৰা সাপৰ দৰে তুৱায়ে সেই অপমানৰ কোব নেপাহৰি, দুদিনৰ পিচতে ধৰ্ম্মাৱতাৰ হাকিমৰ গাত ভেটা-খোৱা অপবাদ দি, চীফকমিছনৰ চাহাবলৈ বেনামীকৈ চিঠি এখন লিখি পঠিয়াই অঁতাইহে কোনোমতে চেঁচা পৰিল।

দুখীয়া ৰামগোলাম দপ্তৰীয়ে অলপ কচুৰতে পাঁচ টকা জৰিমনা ভৰি, দুখৰ ভাৰ মনত লৈ ঘৰ পাই, ঘৈণীয়েকে তিনি বছৰৰ আগেয়ে কৰা পুৰণি জগৰ এটা সুঁৱৰি, তাৰ ধাৰে তাইক এখুন্দা দি চতাই খেহেৰাৰ ঘৰ ওলালগৈ। চতায়ে ছমাহৰ আগেয়ে ৰামগোলামৰ পৰা টকাত চাৰি পইচা বাঢ়িত ছটকা ৰূপ ধাৰে নিছিল। ৰামগোলামে তাৰ ৰুকাঁলৰ গাঁঠিত কম পৰা ৰূপ ছটকা ছুপাই আনিবলৈ গৈছিল। "এতিয়া মোৰ হাতত ৰূপ নাই, দিব নোৱাৰো, পিচত দিম" বুলি চতায়ে কোৱাত, কমাৰৰ হাতুৰিৰ মুখৰ পৰা ফিৰিঙতি ওফৰাদি ৰামগোলামৰ খঙৰ ফিৰিঙতি উফৰি বাবলৈ ধৰিলে। ক্ষন্তেকতে দুয়ো গলিয়াগলি আৰু তাৰ পিচত হতাহতি লগালে। তাৰ পিচত, খেহেৰাৰ ঘৈণীয়েৰু খেহেৰাণীয়ে খাৰুনি হাতত লৈ সেই ভাৱনাত প্ৰৱেশ ৰুৰি ৰামগোলামক খুঁচি দিলত খেহেৰা চতায়ে ঘৈণীয়েৰুৰ সৌশৰীৰে সম্পূৰ্ণ সহানুভূতি আৰু সহায় লভি পৰম উৎসাহিত হৈ ঘপুৰা ৰাম-গোলামক গতাৰে শোধ-পোছ ৰুৰি আগবঢ়াই থৈ আহি সেই ক্ষুদ্ৰ অথচ গপ্‌গপীয়া ভাৱনাৰ ওৰ পেলালে। ৰামগোলামে কিন্তু চতাই-চতায়নীৰ নামে পিছদিনা কছাৰীত মাৰপিটৰ গোচৰ নকৰাকৈ নেৰিলে। এইখিনিতে কবলৈ পাহৰিছোঁ যে, চতাই-চতায়ণীয়ে ৰামগোলামক মাৰ-ধৰ কৰাত "কি অন্যায় কথা, চতাই কাই। তইঁতে মানুহটোক কিয় অনাহকতে মাৰিছইঁক" বুলি ওচৰচুবুৰীয়া পিথু শইকীয়াই মাত লগোৱাত, চতায়ণীয়ে পিথুক তাৰ সাতপুৰুষ উকতি গালি পাৰি দিলে, আৰু তাৰ ফল স্বৰূপে পিথুৰ মাকৰ মাহীমাকৰ মোমায়েকৰ জীয়েকক চতাইৰ পুতেকৰে সৈতে বিয়া দিবলৈ খোজাবঢ়া বিয়াখন ভাগি থাকিল।

বিদ্যাৰাম উকীলৰ কীৰ্ত্তি কেবাও এইখিনিতে কৈ, এই বেগেতীয়া সাধুৰ ওৰ পেলাব খোজোঁ। তেওঁ বিয়া কৰোৱা ছোৱালীৰ, পোন্ধৰ দিনৰ আগেয়ে

মোৱাই-তোলনি বিয়া হৈ গৈছিল। মনত বেজাইবে তেওঁ সেইদিনা ঘৰলৈ আহি শহুৰেকলৈ ৰাতিয়েই চিঠি লিখি পঠিয়ালে যে "মোৰ মক্কেলৰ কথামতে মই অমুকা শহুৰেকলৈ এই জাননী দি জনালো যে, অহা সপ্তাহৰ ভিতৰতে দিনবাৰ চাই তেওঁৰ জীয়েকক মোৰ মক্কেলৰ গৈতে শাস্তি দিব লাগিব, নতুবা মোৰ মক্কেলে সেই ছোৱালীৰ স্বত্ব পৰিত্যাগ কৰিব আৰু শহুৰেকৰ নামে দেৱানী কাৰ্য্যবিধি আইনমতে ক্ষতিপূৰণৰ দাবী কৰি গোচৰ কৰিব।" শহুৰেকে জোঁৱায়েকৰ এই অদ্ভুত উকীলি চিঠি পাই বিমোৰ হৈ উত্তৰ পঠিয়ালে, "বোপা, তোমাৰ গা কেনে আছে এই পত্ৰবাহকৰ মাৰ্ফত জানিব দিবা মই বৰ চিন্তিত হৈ আছোঁ। বিশেষ মোৰ পক্ষে ইমান লৰালৰিকৈ শান্তি দিবলৈ দিহ' কৰি উঠা একেবাৰেই অসম্ভৱ। মই অকলশৰীয়া মানুহ তুমি দেখোন জানায়েই। অৱশ্যে এমাহমানৰ মূৰত মই ছোৱালী শান্তি দিবলৈ যথাসাধ্য চেষ্টা কৰিম। সম্প্রতি মই বৰ চিন্তিত হৈছোঁ ; তোমাৰ গা কেনে আছে জানিবলৈ দিবা। যদিহে গা ভাল নহয়, তেন্তে মই বেজবৰুৱাক লগত লৈ এতিয়াই তোমাৰ তালৈ যাম।"

জোঁৱাই বোপাই শহুৰেকৰ উত্তৰ পাই ধৃতাহুতি হৈ উঠিল। তেওঁৰ মূৰৰ তালুত খঙে ইমান উপদ্ৰৱ লগালে যে, তেওঁক দেখোতাৰ মনত খেলাবলৈ ধৰিলে যেন তেওঁৰ খং জুইত চুলিবিলাক পুৰি থোপাথোপে কুকুহা উৰি যাব লাগিছে। তৎক্ষণাৎ তেওঁ আকৌ এখন চিঠি তেতিয়াই শহুৰেকলৈ লেখি পঠিয়ালে যে, যদি অহা সপ্তাহত শহুৰেকে ছোৱালী শান্তি নিদিয়ে, তেন্তে তেওঁৰ মক্কেলে, অৰ্থাৎ তেৱেঁই নিশ্চয় নিশ্চয় সেই ছোৱালী পৰিত্যাগ কৰিব। আৰু যদিহে শহুৰেকে পইচাৰ অভাৱত জীয়েকক শান্তি দিবলৈ পাচ হুহকিছে তেন্তে তেওঁ জীয়েকক এনেই পঠিয়াই দিব পাৰে। শহুৰেকে সেই চিঠি পাই কান্দিকাটি পিচ দিনা জীয়েকক দোলা এখনত তুলি লগত ওচৰ চুবুৰীয়া তিৰুতা মানুহ এজনী দি, লোটা-বাটি কাঁহী-কলহ গোটাচেৰেকে গৈতে জোঁৱায়েকৰ ঘৰলৈ পঠিয়াই দিলে, আৰু সেইদিনাই তেওঁৰ ভাত চৰুটো পেলাই দি সকলোকে কৈ দিলে যে তেওঁৰ জীয়েক-জোঁৱায়েক অহনিত গ'ল।

নিস্তাৰিণী দেৱী বা কাত্তেমা বিবি

দেওবাৰ, দুপৰীয়া। পৰক আপোনাৰ কৰি, অৰ্থাৎ পানীৰ মাছ, পথাৰৰ ভাত, বাৰীৰ শাক পাচলি, বজাৰৰ লোণ তেলক অন্তৰঙ্গ বন্ধু কৰি লৈ, অৰ্থাৎ পোনাই কৰবলৈ গলে, ওপৰত কোৱা বস্তুবোৰ দকচি এপেটকৈ খাই উঠি, "ইজিচেয়াৰ" বা "আৰামচকি" এখনৰ ওপৰত পূৰ্ণ বিশ্বাস স্থাপন কৰি সম্পূৰ্ণৰূপে ভৰ দি, নিজৰ হাত ভৰি মূৰেৰে সপৰিবাৰ শৰীৰটো তাত থাপি, বনবীয়া উতনুৱা ছটা বাৰৰ লগৰীয়া ঘৰচীয়া জাতি দেওবাৰটোক নথৈ শলাগি, আদখিনি মেলা আদখিনি জপোৱা চকুৰে দেহাৰূপী ৰবৰবটো আন্ধাৰ পোহৰ কৰি থাকি, নলিচা লগোৱা গুৰগুৰি-টোৱে গৈতে টোবোক-টোবোক ভাষাত অতীত কালৰ পাহৰা কথা সুঁৱৰি সুঁৱৰি পাতি আছোঁ। এনেতে মোৰ পকীঘৰৰ চালৰ ওপৰত গিৰিং কৰে কিবা এটা পৰা শব্দ শুনিলোঁ। মোৰ বৈ থকা সুখ-নৈৰ সোঁতটোৱে ততালিকে ওভতনি পাক ললে, আৰু মই উঠি গৈ দেখিলোঁ যে, পকীঘৰৰ চালৰ ওপৰত কাম কৰা ৰাজ-মিস্ত্ৰীবোৰক ইটা যোগোৱা কুলিয়নী তাই মূৰত লৈ যোৱা এপাচি ইটাৰে গৈতে, চালৰ ওপৰত হঠাতে পিছলি পৰি মুছকচ্ছ গৈছে। লৰা-লৰিকৈ পানী আনি তাইৰ মূৰত দিবলৈ দিহা নকৰি মিস্ত্ৰী কেইটাই অবাক হৈ ভোজখোৱা শিয়ালৰ দৰে চাই আছে। "হেৰ বাঘে খোৱা গৰুহঁত। তহঁতে কি কৰিছ ?" বুলি মই সিহঁতক গালি পাৰি লৰালৰিকৈ পানী অনাই মানুহজনীৰ মূৰত থপিয়াই দিয়ালোঁ। অলপমান বেলিৰ পিচত তাইৰ ধাতু আহিল। তাৰ পিচত দাংদোলাকৈ তাইক ধৰাই লাহে লাহে তললৈ নমালোঁ। এপাচি ইটাৰে গৈতে পৰি তাই বৰ টান পোৱা বাবে তাইৰ তেনে হৈছিল। মানুহজনী গা-ভাৰী আছিল। তাই তেনেকুৱা অৱস্থাত কিয় ইমান দুখৰ কাম কৰিবলৈ আহিছে বুলি তাইক সোধাত তাই কবলৈ ধৰিলে।

"হুজুৰ! মোৰ দুখৰ কথা কি কম, কলে ওৰ নপৰে। কপালৰ লিখন কোনেও খণ্ডাব নোৱাৰে। আল্লাৰ মৰ্জি। আল্লাই মোক সকতে আই-বোপাই, ককাই,-ভাই, বন্ধু-বান্ধৱ, ঘৰ-বাৰী সকলোৰে পৰা বঞ্চিত কৰিলে ; বঞ্চিত কৰিলে মানে কিজানি হুজুৰে ভাবিছে, তেওঁলোক মৰি-হাজি চুকাল। সি নহয়। মইহে তেওঁলোকৰ মানত মৰি-হাজি চুকালোঁ। কেনেকৈ তেনে হল, মই কওঁ শুনক।—

"আমাৰ ঘৰ বৰ্দ্ধমান জিলাৰ বামুণ গাঁৱত। আই বোপাই ককাই ভাই ধন ধান্যৰে আমাৰ ঘৰ জয়-জয় ময়-ময় আছিল। গাঁৱৰ ভিতৰত মোৰ বোপাই সকলো বিষয়তে ৰবনুৱীয়া আছিল। কিন্তু তেওঁৰ স্বভাৱটো অতি উগ্ৰ আছিল দেখি গাঁৱৰ ভিতৰৰ সৰহখিনি মানুহে তেওঁক ভাল নেপাইছিল। আমাৰ ঘৰ মানুহ ধন বিত্তেৰে চহকী দেখি আমাৰ দুখীয়া বন্ধু-পৰিয়াল বিলাকেও আমাৰ শ্ৰী সহিব

নোৱাৰি সদায় আমাক খিয়াল কৰিছিল। পিতাদেৱে কাৰো ওচৰত সৈমান হৈ নচলি কাকো গ্ৰাহ্য নকৰি লোকৰ মনৰ সেই ভাবটো আৰু দ কৰি দিছিল।

"আমাৰ গাৱঁৰ ওচৰত ঘৰচেৰেক মছলমান মানুহ আছিল। আমাৰ পথাৰৰ খেতি-বাতি আদি কামত আৰু ৰূপবান বাটিলৈ ধাৰে নিয়া আদি বিষয়ত সততে সিহঁতে আমাৰ ঘৰ মানুহক উপাসা-ভৰসা কৰি চলিছিল। মোৰ এতিয়াও ভালকৈ মনত পৰে, মই তেতিয়া সাত বছৰীয়া ছোৱালী। এদিন মই আমাৰ ওচৰ চুবুৰীয়া সমনীয়া ছোৱালী জনী-চেৰেকে সৈতে কাকো নোকোৱাকৈ মনে মনে মছল-মান এঘৰত ঈদ চাবলৈ গৈছিলোঁ। আমাক দেখি সেই ঘৰৰ তিৰুতাবিলাকে সন্তোষ পাই আত্মখ্যন্ত কৰি বহুৱালে, আৰু 'চিমাইৰ পায়স' খাবলৈ দিলে। ছোৱালী মানুহ আমি আগ-গুৰি ভাল-বেয়া একো নুগুণি পেট ভৰাই পায়স খাই ঘৰ ৰঙেৰে ঈদ চাই গধূলি ঘৰলৈ উভতি আহিলোঁ। পিতাদেৱৰ অনেক শত্ৰু। তাৰে ভিতৰৰ কোনোবাই সেই কথা গম পাই, লৰা-লৰিকৈ আহি গাৱঁত ৰাষ্ট্ৰ কৰি দিলে যে অমুকৰ জীয়েক নিস্তাৰিণীয়ে মুছলমানৰ ঘৰত পায়স খাই আহিছে। লগৰীয়া আন কেইজনী ছোৱালীৰ নামকে নোলাল, অকল নিস্তাৰিণীৰহে নামটো ওলাল। এই বাতৰি পিতাদেৱৰ কাণত পৰিলত তেওঁৰ মূৰত আকাশী-চৰগ ভাগি পৰিল। লোকৰ দোষ খুচৰি ফুৰা তেওঁৰ, লোকৰ ওপৰত কথাই কথাই ৰবমতা ওলোৱা তেৱঁৰ গৰ্ব্বটো গোটেই গাওঁৰ মানুহে ধৰি খৰ্ব্ব কৰি পেলালে। তেওঁৰ জাত গল বুলি তেওঁক এঘৰীয়া কৰিবলৈ সকলোৱে ভয় দেখুৱালে। লাজ অপমান আৰু খঙত তেওঁ মৰ্ম্মান্তিক হৈ সোণৰ সোলেং যেন সাত বছৰ বয়সীয়া জীয়েকক, যতে মৰে ততে মৰকগৈ বুলি ঘৰৰ পৰা উলিয়াই দিলে। তাই কান্দিকাটি বিবুধি হল। পিতাদেৱৰ মূৰ্ত্তি দেখি চুত্তি হেৰাই কি কৰিম কলৈ যাম কত লুকাম ভাৱি মই বিবুধি হলোঁ। মই আশ্ৰয় বিচাৰি চিনাকি মানুহ যাৰে ঘৰলৈ গলোঁ, সিয়েই মোক ছেই ছেই কৰি খেদাই দিলে। অন্তত মই বিবুধি হৈ লাহে লাহে সেই মছলমান ঘৰত ওলালোগৈ। সিহঁতে মোৰ সকলো কথা শুনি মোক আতো পুতো কৰি সিহঁতৰ ঘৰতে ৰাখিলে। ময়ো কি কৰিম একোকে ভাবি নেপাই তাতে থাকিলোঁ। নেদেখাজনৰ ইচ্ছাত অবুজ বামুণৰ জীয়েক নিৰাশ্ৰয়া নিস্তাৰিণী নক মিঞা মুছলমানৰ ঘৰত আশ্ৰয় পাই মুছলমান হল।

লাহে লাহে মই নক মিঞাৰ জীয়েকৰ পদ পালোঁ। বিপদৰ কালত নক মিঞা মিঞানীয়ে মোক সাৱটি ধৰিলে। মোৰো ছোৱালী মন সকলো দুখ বেজাৰ পাহৰি নতুন অৱস্থানে সৈতে এই মিলি গলোঁ। বোপাইৰ মনত পায়স-ফেটাসাপে মোক খুটি মাৰিলে। আইয়েও বোপাই আৰু লোকৰ ভয়ত মোৰ বিষয়ে সেই দৰেই কিছুমান দূৰ ভাবিবলৈ বাধ্য হল। কিন্তু মাকৰ মন বৰ ডাঙৰ বস্তু হজুৰ, বাইজৰ ভয়েও সদাই তাক ভৰিৰ তলত ৰাখিব নোৱাৰে। আইয়ে লুকাই-চুৰকৈ জীয়েকলৈ টোপোলাটো বস্তুখন বেহানিখন নপঠিওৱাকৈ আৰু জীযেকৰ বাতৰি নোলোৱাকৈ থাকিব নোৱাৰিছিল, কাৰণ পিতাদেৱে কৈছিল যে, মোক তেওঁ দেখিলে টোৱা-ছোৱাকৈ কাটিব। কৰলৈ পাহৰিছোঁ, মই নক মিঞাৰ ঘৰত থকাৰ এবছৰৰ পিচত মোক মুছলমান কৰি ফাতেমা বিবি নাম দিয়া হল। মোৰ পোন্ধৰ বছৰ বয়সত মিঞা মিঞানীয়ে মোক এজন মছলমান ডেকা ল'ৰাৰে বিয়া দিলে। তেওঁৰ ফালৰ পৰা মোৰ এটা ল'ৰা আৰু এজনী ছোৱালী হৈছিল। তিনি চাৰি মাহ মান হৈছে মাউৰত পৰি মোৰ গিৰিহঁত আৰু লৰা-ছোৱালী দুটি মৰিল। তেওঁ ডাকঘৰত হৰকৰাৰ কাম কৰিছিল, আৰু একো ধন-বিত ৰাখি থৈ যাব নোৱাৰিলে। মই চাৰি-মহীয়া গা-ভাৰী মানুহ। মোৰ খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, কোনো সহায় নাই, উপায় নাই। এই পৃথিৱীত দুখ ভুঞ্জিবলৈ মোক আল্লাই জীয়াই থৈছে। মোৰ শৰীৰৰ এনে অৱস্থাত মই কুলিৰ কাম কৰি পেটৰ ভাত-কাপোৰ মোকোলাব লগীয়াত পৰিছোঁ। আজি যেতিয়া এপাচি ইটাৰে সৈতে হজুৰৰ ঘৰৰ চালৰ ওপৰত পৰিছিলো, তেতিয়া ভাবিছিলোঁ যে খোদাই দুখুনীৰ ওপৰত কৃপা কৰিলে, মোক মাৰি নিব, কিন্তু লেলেতীয়া জীৱৰ ইমান সোনকালে দুখৰ ওৰ কিয় পৰিব, সেই দেখি নম ৰিলোঁ।

"মোৰ বোপাই ঢুকাল। আই এতিয়াও আছে। বোপাই ঢুকুৱাৰ পিছত তেওঁৰ ধন-সম্পত্তি সকলোবোৰ কেনিবা উৰি গল আৰু আই বৰ দুখত পৰিল। মোৰ ককাইটোৱে খেতি-বাতি কৰি আইক আৰু নিজৰ ল'ৰা-তিৰুতাক অতি কষ্টেৰে কোনো মতে পোহে। এতিয়া মই অৱশ্যে আইক চাবলৈ মাজে মাজে যাওঁ। কিন্তু তেওঁক পাইটো পইচাটো দি সহায় কৰিব নোৱাৰোঁ; কাৰণ তেনেহলে তেওঁৰ জাত যাব, তেওঁৰ হিন্দু বন্ধু পৰিয়াল আৰু গাৱঁৰ মানুহে তেওঁক এঘৰীয়া কৰিব। মই দুই-চাৰি অনাকৈ গোটাই মাহে মাহে এটকা দুটকাকৈ ৰূপ আইলৈ লুকাই পঠিয়াই দিওঁ, তাৰে তেওঁৰ লোণ তেলৰ খৰচ চলে। এই পৃথিৱীত মোতকৈ দুখিত প্ৰাণী, হজুৰ, কোনো নাই। কিন্তু হজুৰ এটা কথা কওঁ আমাৰ দেশখন জাতেই খালে। জাত

জাতকৈ ইটোৱে সিটোক ঘিণাই, হিন্দু-মছলমান বুলি এটা ধৰমৰ মানুহে আনটোক ছেই-ছেই কৰি থিছাতে আমাৰ দেশখন 'জহান্নামে' নিলে। আমাৰ আগত সকলো জাতৰ সকলো ধৰমৰ মানুহ সমান হজুৰ। ইপুৰীত মই মোৰ আই-বোপাইক নেপালো, সিপুৰীত নিশ্চয় মোক খোদাই তেওঁলোকক দিব। দখুনী ফাতেমাই এই কেষাৰ কথা কলে ; নিশ্চয় নিশ্চয়, হজুৰ জানিব, ই ফলিয়াবই ফলিয়াব।'

বাপিৰাম

প্ৰথম আধ্য

তাহানি "ৰবতি চাহাবৰ" দিনত জোঁকতলী মৌজাত সিধাই খাটনিয়াৰ বুলি এজন মানুহ আছিল। সেই কালত সিধাই খাটনিয়াৰক নজনা মানুহ ৰংপুৰ চহৰত নাছিল। দোল, দুৰ্গোৎসৱ, হৰিসেৱা আদি ধৰম-কৰমেৰে খাটনিয়াৰৰ ঘৰ উজনিত উজ্বল আছিল। পৰমেশ্বৰে তেওঁক সকলো সুখ সম্পদেৰে সুখীয়া কৰিও এটা বিষয়ত অতি অসুখীয়া কৰিছিল। অপুত্ৰক খাটনিয়াৰৰ অপেশ্বৰীৰ নিচিনা একেটা ছোৱালী ফুলতে বাঁৰী! কত আশা, কত ভৰসা বুকুত বান্ধি লৈ তেওঁ তেওঁৰ চকুৰ মণি ছোৱালীটীক ভাল মানুহৰ ঘৰৰ সজ ল'ৰা এটিৰ সৈতে বিয়া দি, ঈশ্বৰৰ অনুগ্ৰহত নিশ্চিন্ত হলোঁ বুলি ভাবিছিল ; কিন্তু বিধিৰ বিপৰীত বিধান—বিয়াৰ পৰা এমাহ যাওঁতে-নোযাওঁতেই জোঁৱাই লৰাটি মাউৰত পৰি মৰি খাটনিয়াৰক আজলী ছোৱালীটোৰে সৈতে এক প্ৰকাৰ জীৱন্ততে মাৰি গল! এই মহাশোকৰ অগনিত পুৰি-ডেই খাটনিয়াৰ আৰু ইহ সংসাৰত অধিক দিন টিকিব নোৱাৰিলে। জোঁৱাই যোৱাৰ ছমাহৰ পিচতে তেৱোঁ সেই মহাপ্ৰয়াণৰ বাটৰ বাটকুৰা হল।

তিলকাৰ এতিয়া আৰু এই পৃথিৱীত এক দদায়েক আৰু খুৰীয়েকৰ বাহিৰে কোনো নাই। তিলকা বোলোঁতে আমি খাটনিয়াৰৰ বাঁৰী ছোৱালীটীৰ নামকে কাঢ়িছোঁ ; আৰু দদায়েক বোলোঁতে খাটনিয়াৰৰ স্বগৰ্ভী ভায়েক ভূধৰৰ কথাকে কৈছোঁ। ভূধৰ সেই কালৰ এধাপোৱা এধাডেৰা ইংৰাজীৰ এধাডুখৰীয়া সোৱাদ পোৱা ডেকা। পৈতৃক স্বাধীন ব্যৱসায়তকৈ চাহ বাগিচাৰ চাহাবৰ তলত চাকৰি কৰাটো তেওঁৰ জীৱনৰ এটা মহা ওখ আশা। সেই কালত উজনিত, ইংৰাজ খেতিয়ক চাহাবসকলে নতুনকৈ চাহ বাগিচাবিলাক মহা ধুমধামেৰে খুলি মুঠিয়ে মুঠিয়ে ধন সিঁচিছিল আৰু কাণ্ডখন দেখি-শুনি আমাৰ দেশৰ ভোদা মানুহবোৰ তথা লাগি গৈছিল। ডেকা তৰপৰ ডেকা তেজে, "বি-এল-এ-ব্ৰে" শিকা ডেকাসকলক ৰবমহৰীৰ ৰব সৰু কামৰ নিমিত্তে উদগনি ঢোল বজাই নকু-ৱাইছিল-ধপৰাইছিল ; বুঢ়া তৰপৰ চেচা তেজীয়া বুঢ়াসকলকো ডেকাসকলৰ গাৰ বতাহৰ কোৱে ধৰফৰক নলগোৱাকৈ এৰা নাছিল। তেওঁলোকে ডেকা পুতেকহঁতৰ আশাৰূপী ৰবৰ আঠাৰ ৰব-মোনাত সোলামুখৰ সোলোক ঢোলোক ফু বতনেৰে দি তাক ফুলাই ডাঙৰ কৰি দিয়াত ক্ৰটী কৰা নাছিল। এনেস্থলত আমাৰ খাটনিয়াৰৰ ভায়েক ভূধৰে যে অসম কোম্পানীৰ দীঘলিটিং চাহবাগিচাৰ ৰব-মহৰীৰ ৰব কামটো অতি যতনেৰে পাই, তাক প্ৰাণকাতৰে গৰা মাৰি নধৰিব, তাত সন্দেহ কৰিবৰ কাৰো কোনো কাৰণ নাছিল।

খাটনিয়াৰৰ মৃত্যুৰ পিচত স্বভাৱতে, ভূধৰ ৰব মহৰীয়েই জোঁকতলীৰ ঘৰৰ গৰাকীৰ পদ পালে। তেওঁ দীঘলিটিং আৰু জোঁকতলীৰ ভিতৰত কেৰা নলগাকৈ সমানে তাল এইদৰে ৰাখিছিল ; যথা—দীঘলিটিঙৰ পৰা প্ৰতি শনিবাৰে জোঁকতলীলৈ তেওঁৰ অহা, আৰু এসপ্তাহলৈ খেতি-পথাৰ ঘৰ-বাৰী চলোৱাৰ দিহা-পোহা কৰি দি প্ৰতি সোমবাৰে আকৌ জোঁকতলীৰ পৰা দীঘলিটিঙলৈ উভতি যোৱা। তেওঁৰ অনুপস্থিতি কালত, জোঁকতলীৰ ঘৰৰ ঘিলা তেওঁলোকৰ বহুকলীয়া বুঢ়া লগুৱা বাপিৰামৰ তত্ত্বাৱধানত ঘূৰে।

আজিকালি লগুৱা বুলিলে তুমি আমি যি বুজোঁ-হঁক বাপিৰাম লগুৱাৰ কথাত তেনে বুজিলে নিশ্চয় ভুল হব। ইংৰাজ ৰজাই অসমত পুৰুষানুক্ৰমিক লগুৱা-লিগিৰাৰ প্ৰথা বা দাসত্ব প্ৰথা তুলি দিয়াৰ আগেয়ে গিৰিহঁত আৰু লগুৱা-লিগিৰাৰ মাজত যেনে সম্বন্ধ আছিল, তেনে সম্বন্ধীয় লগুৱা এই বাপিৰাম। সি যদিও লগুৱা, তথাপি খাটনিয়াৰ পৰিয়ালৰ ভিতৰত সিও এটা কটা-ছিঙা কৰিব নোৱাৰা মানুহ। সকলো বিষয়তে সকলো পিনে খাটনিয়াৰৰ ঘৰেই তাৰ ঘৰ, খাটনিয়াৰৰ মানুহেই তাৰ আপোন মানুহ, যদিও তাৰ নিজা ঘৰ চাওখাটত ল'ৰা-তিৰুতা অণ্ডহী-বণ্ডহী দদাই-খুৰাৰ অভাৱ নাছিল। মুঠতে কবলৈ গলে, সি চাওখাটত আলহী, জোঁকতলীত গিৰিহঁত ; চাওখাটত বিদেশী, জোঁকতলীত স্বদেশী ; ঘৰত নিলগীয়া, পৰত আপোন।

ওপজাৰ পৰা তিলকাক বাপিৰামে তুলিতালি ডাঙৰ দীঘল কৰিছিল। তাৰ মানত তিলকা আই-দেও, তাৰ নিজৰ তেজ মঙহৰ পুতেক চাওখাটৰ দুখীৰামতকৈও সাতগুণ। তাৰ মন-পালাপাজাত

একালে তিলকাক আৰু আনকালে দুখীৰামক তুলি সি জুখি চাই দেখিছে যে তিলকা দুখীতকৈ গধুৰ। তিলকাই খালে তাৰ পেট ভৰে, পিন্ধিলে তাৰ গা জুৰায়, হাঁহিলে তাৰ হাঁহি ওলায় আৰু কান্দিলে কান্দোন ওলায়। তিলকা বাঁৰী হল। সি ভাবিলে ঈশ্বৰে তাক তাৰ আগেয়ে মাৰি নিনি শত্ৰু পালিলে। তিলকা বাঁৰী হবৰ দিনাৰ পৰা সি খাটনিয়াৰৰ গোসাঁই ঘৰৰ কালে উভতি নেচায় আৰু তাত থকা "কলীয়া জনাৰ্দ্দন" মূৰ্ত্তিৰ কালে মূৰ নোদোঁৱায়। পেটে পেটে তাৰ দোৰ্দোৰ খং যে সি দিনে বাড়িয়ে তেওঁক ইমানকৈ খাটি খাকোঁতেও কিয় তেওঁ তাক অনাহকত এনে শাস্তি দিলে।

সময়-ৰথৰ চকৰি পৰ্ব্বতে-ভৈয়ামে পানীয়ে-বামে সদায় সমানে চলে, কন্তেকলৈকো সি কতো লাগি নেথাকে। সময়ে সংসাৰৰ সম্পদ বিপদ সুবিধা অসুবিধা হাঁহি কান্দোন সকলোকে নিজৰ পিঠিত বোকোচা বান্ধি লৈ একোলৈকে ভ্ৰূক্ষেপ নকৰি যাবলৈ ধৰিলে ; আৰু জোঁকতলীৰ খাটনিয়াৰ পৰিয়াল আৰু লগে লগে বাপিৰাম বুঢ়া নগুৱাও বাধ্য হৈ সেই বোকোচাতে এচুকীয়া হৈ চলিল। তিলকাৰ বয়স এতিয়া ওঠৰ বছৰ। তিলকাৰ ৰূপ আৰু যৌৱন চাৰিওফালে ছাটি পৰিছে। এই সংসাৰৰ শান্তি অশান্তি আশা নিবাশা আঁটনি নাটনি স্পৃহা-নিস্পৃহা উদ্বেগ নিৰুদ্বেগৰ নতুন বা-মাৰলীয়ে পখিততুলি তেওঁক উৰাই লৈ ফুৰিছে। তেওঁৰ মনত এই সংসাৰৰ সকলো আচৰিত। দহো দিশে দহোটা হাতেৰে হাতবাউল দি তেওঁক দহফালে মাতিছে, কিন্তু কিজানি কিয়, তেওঁ কাৰোফালে যাব নোৱাৰে, কাৰো অনুৰোধ ৰাখিব নোৱাৰে। তেওঁ বুজিব নোৱাৰি বিমোৰ যে, কিজানি কিয়, তেওঁ তেওঁৰ উপচি পৰা হিয়াৰ পৰা এটোপা ৰবম, এটোপা প্ৰেম, এধানমানো আকাঙ্ক্ষা, ধনিষ্ঠামানো তৃপ্তি কাকো বিলাবলৈ অপাৰগ। কিন্তু তেওঁৰ হৃদয় আবেগৰ ধলেৰে উথলি উঠিব খুজিলেই তেওঁৰ কাণত যেন বিণিকি-বিণিকি বাজি উঠে 'খবৰ্দাৰ, তোৰ ক্ষমতা নাই, ক্ষমতা নাই। তোৰ যৌৱন-সম্পদ তোৰ নহয়। তোৰ আকাঙ্ক্ষা আবেগ হাবিলাষ উৎসাহ তোতে থাকি তোতে মৰ যাব, লোকক বিলাবলৈ নহয়। তোৰ প্ৰেম-জগনিৰ উৰাজাল এই বিশাল বিশ্ব জগতৰ কাৰো উপকাৰ সাধিবৰ নিমিত্তে নহয়, সি কেৱল তোক তুঁহ জুইৰ দৰে লাহে লাহে পুৰি ছাই কৰিবলৈহে মাথোন।' তিলকাৰ হৃদয়-মণিকটত তেলভৰা বন্তি জলি উঠি বিমল জেউতি চাৰিউফালে বিলাই দিছে, কিন্তু মণিকূট দেৱতাশূন্য।

দ্বিতীয় আখ্যা

অসম কোম্পানীৰ দীঘলিটিং বাগিচাৰ বৰ-চাহাব মি. . .ৰ স্কটক কোনে বাতৰি দিলে কব নোৱাৰি যে, তেওঁৰ বৰমহৰী ভূধৰৰ এজনী দীপ্লিপ্ ভতিজা-জীয়েক আছে ; যাৰ ৰূপ দেখিলে দুপৰৰ বেলিয়েও কন্তেকলৈ ৰথ ৰাখি যায়। এদিন দুপৰীয়া চাহাবে ভূধৰ বৰমহৰীক নিজৰ বঙলালৈ মতাই আনি তলত লিখাৰ দৰে কথা বাৰ্ত্তা হল ;—

স্কট।—"ওৱেল ভূধৰ, মই শুনিছে, তোৰ ভতিজা এজনী বাঁৰী হৈ ঘৰতে আছে ?"

ভূধৰ।—"হয় হজুৰ, আছে।"

স্কট।—"মই শুনিছে হেইজনী বৰ হুন্দৰী আছে।"

ভূ।—"আছে হজুৰ।"

স্কট।—"তাইক মোক দিব লাগে, মই চাদি কৰিবে।"

ভূধৰ চাহাবৰ কথা শুনি কাণত আঙুলি দি, চৰণ-পৰা মানুহৰ দৰে থিয় হৈ অবাক।

স্কট।—"কথা নাকহিছে কিয় ? তুমি তোমাৰ ভতিজাক মোক জৰুৰ দিব লাগিবে।"

ভূ।—"সেই কাম হব নোৱাৰে হজুৰ। তুমি চুই কৰ্ণত হাত দিবলগীয়া কথা। আমি বামুণ মানুহ, হিন্দু মানুহ হজুৰ, আমি এনে কাম কৰিলে তল যাম হজুৰ। আমাৰ জাত-কুল যাব হজুৰ। হজুৰ খোদাবান্দা, এনে কামলৈ হজুৰে গোলামক নধৰিব।"

এই বুলি ভূধৰে অ'ঠু কাঢ়ি চাহাবক হাতযোৰ কৰে।

স্কট।—"তোমাৰ কি জাতি যাবে, জাতি না যাবে, মই দস্তুৰমত চাদি কৰিবে ; তোমাক ৰূপীয়া পইচা দিবে, বহুৎ দিবে ; ডাঙৰ মানুহ কৰি দিবে, কোনো ভয় নাই আছে।"

ভূ।—"নহয় হজুৰ, গোলামে এনে কাম কৰিব নোৱাৰেঁ। গোলামক হজুৰে ছোৱা-ছোৱাকৈ কাটি পেলালেও নোৱাৰেঁ।"

স্কট।—"ভেম বদ্জাত। তুমি হাবিকে চিনি নাই পাইছে, তোমাক হাবি গুলী কৰিবে, জান লিবে, ভিছ্মিছ্ কৰিবে। মগৰ, তুমি হামাৰা হকুম মাফিক কাম কৰিবে তো তোমাক হাবি বহুৎ বৰা আদমি বনাই দিবে। তোমাৰ মলুকত চব আদমিকা উপৰ তোমাক বৰা বনাই দিবে। দেখ ভূধৰ। তোমাক হাবি নাহি চাবিবে, তুমি হামাৰা হকুম তামিল কৰিবে হবেই হবে।"

তৃতীয় আধ্যা

ব্ৰিটন "বাচ্ছা" স্কট চাহাব সহজ পাত্ৰ নহয়। হাৰ কাক কয় তেওঁ নেজানে। পোনতে ভয়, শেহত লোভ, খোচামোদ, ধমক আদি চোকা চোকা অব্যৰ্থ অস্ত্ৰৰ আগত অলপধতুৰা বামুণৰ ল'ৰা ভুধৰ টিকিব নোৱাৰি, পুণ্যতনু শিধাই খাটনিয়াৰৰ জীয়েক তিলকাক আনি স্কট চাহাবক দিবলৈ মান্তি হল; আপোনাৰ পবিত্ৰ কুলত আপোন হাতে চুণ-কালি সানিবলৈ প্ৰস্তুত হল! পবিত্ৰ যজ্ঞৰ হবি আপোন হাতে তুলি আনি ভুধৰ কুলাঙ্গাৰে বকৰাণিত পেলাই দিবলৈ ওলাল! আপোন গোসাঁইঘৰৰ থাপনাৰ সোণৰ ফুলপাহ নিজ হাতে চুৰ কৰি আনি চোৰৰ বুকুত আঁৰি দিবলৈ ভুধৰে সঙ্কল্প কৰিলে।

সাতদিনৰ ভিতৰতে ভুধৰে গৈ ফাঁকি দি নিজৰ বৈণীয়েকে সৈতে তিলকাক জোঁকতলীৰ পৰা দীঘলিটিং বাগিচালৈ লৈ আহিল। ভুধৰৰ অনিচ্ছা অগ্ৰাহ্য কৰি লগতে বাপিৰাম লগুৱাও আহিল। জোকতলী এৰিবৰ আগেয়ে বাপিৰামে, কি' জানি কৰ নোৱাৰি দীঘলিটিঙলৈ তিলকাক লৈ আহিব খোজা কথাত দোৰ্ঘোৰ আপত্তি কৰিছিল। ভুধৰৰ বৈণীযেকৰো যে আহিবৰ মন আছিল এনে নহয়। কিন্তু নানা কথা কৈ "দিনচেৰেকলৈ মাথোন গৈ তহঁত সোনকালে উভতি আহিবিহঁক" বুলি ভুধৰে সিবিলাকৰ মত কৰিলে। তিলকাই কিন্তু নতুন ঠাই দেখিবলৈ পাম ভাবি উৎকলিকৃত হৈ আহিল।

চতুৰ্থ আধ্যা

আজলী অবলাৰ পক্ষে পুৰুষৰ প্ৰবল জাল ফালি সৰকি ওলাই যোৱাটো বৰ উজু নহয়, বিশেষ, যেতিয়া সেই পুৰুষে সেই নাৰীৰ প্ৰতিপালক আৰু অভিভাবকৰ ঠাই অধিকাৰ কৰি থাকে। দিনে দিনে দদায়েক ভুধৰৰ নানা চক্ৰান্ত নানা চলাহৰ মেৰে মেৰে আজলী তিলকা সোমাই যাব ধৰিলে। স্কট চাহাবৰ আশা-বেলিয়ে পুবেৰুণ দিবৰ সময় হৈ আহিছে, এনেতে কিবা স্বৰূপে বাপিৰামে গম পালে যে দদায়েক ভুধৰ পাষণ্ডই আপোন ভতিজা জীয়েক তিলকাক খাটনিয়াৰ বংশৰ পবিত্ৰ নামত ছাই সানি দীঘলিটিং বাগিচাৰ বৰচাহাবৰ হাতত দিব খুজিছে! হঠাৎ বুঢ়া বাপিৰামৰ মুৰত আকাশী চৰগ ভাগি পৰিল। তাৰ গোটেইটো গাত সাতকুৰা জুগনি লাগিল। লাজ, অপমান আৰু ক্ৰোধত বাপিৰাম থৰ থৰ কৰে কঁপিবলৈ ধৰিলে। তেতিয়াই সি তাৰ গুৰুঘৰত শপত খাই প্ৰতিজ্ঞা কৰিলে যে, সি জীয়াই থকাত তাৰ গৰাকী আৰু অন্নদাতা শিধাই খাটনিয়াৰৰ জীয়েক তিলকাক কোনেও চাহাবলৈ দিব নোৱাৰে। আৰু তেতিয়াই সি গৈ ভুধৰক সুধিলে,

"এই কথা সঁচা নে সৰুদেউতা?"

ভুধৰ।—"কি কথা সঁচা?"

বাপিৰাম।—"তিলকা আইদেউক তুমি দীঘলি-টিঙৰ বৰচাহাবলৈ দিব খুজিছা?"

ভু।—"তোক কোনে কলে?"

বাপি।—"যেয়ে কওক নকওক, সঁচা নে মিছা, কোৱা?"

ভু।—"দেখ বাপিৰাম, তই লগুৱা মানুহ, লগুৱাৰ দৰে থকাই ভাল। ঘৰৰ বন-বাৰী তোৰ কাম। এই বিলাক বিষয়ত তোৰ কথা কবৰ আৰু ভু-ভা লৈ ফুৰিবৰ কাম নহয়।"

বাপি।—"আছে কাম। শুনা সৰুদেউতা। তোমাক কেচুৱাৰ পৰা তুলি ডাঙৰ দীঘল কৰিলোঁ। আজি তিনি পুৰুষৰ পৰা তোমালোকৰ ঘৰৰ চাউল খাই লগুৱালি কৰি মোৰ ঘৰ মানুহ। তোমালোকৰ ঘৰৰ অন্নেৰে বাপিৰামৰ তেজ মঙহ। এনে স্থলত তুমি আজি মোক এনেধাৰ কথা কব নোলাগিছিল। ক'লা, ক'লা, মই তাত নেলাগো। কিন্তু, এই কথা সৰুদেউতা তুমি নিশ্চয় জানিবা, তুমি যি পাপ কাম কৰিবলৈ ওলাইছা, বাপিৰামৰ এই বুঢ়া গাত তোমাৰ ঘৰৰ চাউল খাই হোৱা এটোপা তেজ থাকে মানে, সি হব নোৱাৰে। খাটনিয়াৰৰ ঘৰৰ কৌটিকলীয়া নাম বাপিৰামে সি জীয়াই থাকোতে নিগমে বুৰিবলৈ নিদিয়ে। চন্দ্ৰ সূৰ্য্য সাক্ষী হবাহঁক! সৰু দেউতা, তোমাৰ ভৰি চুই মই সইত খাই কৈছোঁ, যদিও গোলামি কৰি ভাত খাওঁ, যদিও বামুণৰ ভৰিৰ ধূলিৰ যুইগ মই নহওঁ, তথাপি জানিবা বাপিৰাম একেষাৰ কথাৰহে মানুহ।"

ভু।—"যা যা, এইবোৰ মিছা কথা তোক কোনে কলে কব নোৱাঁৰো, মই তেনে কাম কৰিবলৈ বলিয়া হোৱা নাই।"

এই বুলি বাপিৰামক প্ৰবোধ দি পঠিয়াই, ভুধৰে গধূলি গৈ স্কট চাহাবক কলে যে, তেওঁৰ বুঢ়া লগুৱাটোৱে সেই কথাৰ গম পাই মহা গোলমাল কৰিছে।

স্কট।—"হো—হো—হো! ভুধৰ, তই বহুৎ ভয়াতুৰ মানুহ আছে। নৌকৰলৈ ভয় কৰিছে, আৰু হেই কথা আহি মোৰ আগত কৈছে? তোৰ লাজ নাই লাগিছে?"

ভু।—"নহয় হজুৰ, সি যেনেতেনে লগুৱা নহয়, সি যি কয় তাকে কৰিব, আৰু ঠিক এই কামত ব্যাঘাত জন্মাব।"

স্কট।—"তহঁত নেটিভ মানুহ কালা আদমি। তহঁতৰ আউৰৎকা মাফিক ডৰ। গোৰালোক, চাহাব-লোক হেই ডৰ নাহি কৰে। হুন, তোৰ হেই নৌকৰকু কাইনৈ তই দুপৰীয়া হামাৰ বঙলালৈ পঠিয়াই দিবি। হামি ছাপৰাচী ভেজি দিবে। হামাৰা হুকুম খিলাপ কৰিবেতো তোক হামি হামাৰ বাগিচাচে নিকাল দিবে।"

ভু—" বহুৎ আচ্ছা হজুৰ, দিম পঠিয়াই।"

পঞ্চম আধ্যা

বাপিৰাম।— শুনছা নে সৰু দেউতা। স্কট চাহাবে মোক ছাপৰাচী লগাই ধৰাই নি বঙলাৰ ভিতৰ সুমাই বিনাহকতে চৰ, গোৰ আৰু ভুকু কেইটা যে মাৰিলে, তাত মোৰ বিশেষ বেজাৰ নাই; কাৰণ আমি ছালছিগা ভিকহু গোলাম মানুহ। ডাঙৰ মানুহৰ হাতত হকতেই হওক বা অনাহকতেই হওক, কিলটো গোৰটো চৰটো ভুকুটো খাই থাকিবলৈকে জনম ধৰিছোঁ, কিন্তু সি গৰু খোৱাই যে গওপ মাৰি কলে, বোলে সি তিলকা আইদেওক নি মেম কৰিবই কৰিব, সেই কথাহে মোৰ বুকুত শাল সোমোৱাদি সোমাইছে! মাৰ কিলৰ অন্ত পৰিলত মই বগা বঙালক কৈ আহিছোঁ যে, মই কাঁড়ীৰ মৰৰ ল'বা, যদিও ধনে মানে ক্ষমতাই মই তাৰ ভৰিৰ ধূলি এটাৰ যুইগ নহওঁ, তথাপি মোৰ শৰীলত জীৱ থাকে মানে সেই কাম সি কৰিব নোৱাৰে। মোৰ কথা শুনা সৰু দেউতা! তুমি এই পাষণ্ডৰ চাকৰি এৰি আজিয়েই এই নৰক ঠাইৰ পৰা তোমাৰ তিকতা আৰু ভতিজা জীয়েৰাক লৈ গুচি বলা। এক তিলও তুমি ইয়াত নেথাকিবা। পৃথিৱীত ধৰম একেবাৰেই লোপ পোৱা নাই। মান মৰাণৰ মলুক গৈ কুম্পানীৰ মলুক হৈছে। কুম্পানীৰ মলুকত ধৰম এতিয়াও আছে। তুমি ঘৰলৈ গৈ খেতি-বাতি কৰাই, আৰু আন একো নোৱাৰা যদি কৰম কৰাই ভাত এগাল মোকোলাই খাব পাৰিবা। খাটনিয়াৰ ঘৰ-দেউতাৰ জীয়েক তোমাৰো জীয়েৰা। মহাবেলেচৰ হাতত জীয়েৰাক দি বৌ-বৌ নৰকলৈ নেযাবা। মই মুকখ গৰু মানুহ; আৰু তোমাক কি কম। এতিয়াই তুমি ইয়াৰ পৰা আইদেওহঁতক লৈ ঘৰলৈ গুচি বোৱা।"

ভু।—'তোৰ একিল খায়ো এখুধি নেচাপিল দেখিছোঁ। তই মোৰ ওপৰত কি উঁৰি কৰোঁতা ওলাইছ অ? মোক বুজনি দিবলৈ আহিছ? ভালে ভালে মোৰ আগৰ পৰা তই আঁতৰ হ।"

"বাৰু সৰুদেউতা, মই আঁতৰ হলোঁ," এই বুলি বাপিৰামে আঠুকাঢ়ি ভুধৰক এটা সেৱা কৰি ততালিকে তাৰ পৰা উঠি কৰবালৈ গুচি গল।

ষষ্ঠ আধ্যা

ভুধৰ।—"কালি বাপিৰামৰ কথাবিলাক ঠহৰ ঠহৰকৈ মোৰ আমঠুত সৰকি গৈছিল, যদিও শেহত মই তাক ডাবি দি গালি পাৰি খেদি দিলোঁ। সি কালিৰ পৰা কলৈ গল কব নোৱাৰোঁ। কিন্তু, সি কিবা এটা কাণ্ড কৰিব বুলি মোৰ ভয় লাগিছে। মই নিশ্চয় অন্যায় কাম, পাপ কাম, জঘন্য কাম কৰিবলৈ আগবাঢ়িছোঁ। মোৰ পৰকাল গল! মই নিগমে বুজিলোঁ।—গল, গল, পৰকালটোনো কোনে দেখিছে, কত আছে, কোনে কব পাৰে? কিন্তু ইহকালৰ সুবিধাটোতো ৰব কম নহয়। বৰচাহাবৰ খাটনিয়াৰ, ধন-বিতেৰে চহকী; এই বাগিচাত মানুহ-দুনুহ বনুৱাৰ ওপৰত চাহাবৰ পিচতে গৰাকী; জোঁকতলীত সকলোৰে মাজত ধন-বিত প্ৰতাপৰ ডাঙৰ। যোগাই হাজৰিকাই মোক দেউতা বুলি মোৰ আগত সেও হব লাগিব। যোগাই! যোগাই! তোক দেখিম! ধান সৰিয়হ এগাল বেচি তোৰ গোটাচেৰেক পইচা হৈছে। তাৰে বলত তই মোক মানুহ যেনকে নেদেখ! ৰ, তোৰ মুৰৰ টিকনিত ধৰি মই তোক চোচোৰাই লৈ ফুৰিম। তেতিয়াহে বুজিবি, যেতিয়া মই ঘোঁৰাগাড়ীত উঠি ৰংপুৰ চহৰত গা যেলাই ফুৰি ফুকন বৰুৱাহঁতৰ চকুত জালুক বাটি দিম। * * * আও, ইমানবিলাক ৰূপ পাম! ইমান বিলাক ৰূপ! এহেজাৰ টকা! এশ, দুশ, তিনিশ, চাৰিশ, পাঁচ শ, ছ শ, সাত শ, আঠ শ, ন শ, দহ শ, হেজাৰ টকা মোৰ কোন পুৰুষে চকুৰে দেখিছিল? —গাভৰু বাঁৰী ছোৱালী ঘৰত ৰখা যে কি বিপদ তাক কোনে নেজানে! কোন দিন কি বাদ কুবাদ ওলায় কোনে জানে। তেতিয়া সোপাই এনেই "সোপায়ং নমঃ" হব; ইকুল সিকুল দুই কুল যাব। মইতো তাইক দুখত পেলাবলৈ যোৱা নাই। বৰচাহাবৰ মেম! বাপ ৰে বাপ! বাণীৰ সিচিনাকৈ অলঙ্কাৰ-পাতি পিন্ধিব, টকা-কড়ি খৰচ কৰিব, খাব-দাব থাকিব। লগে লগে আমি ঘৰে ঘৰোৱাহ বৰ মানুহ। এতিয়া যেয়ে যি কয় কওক, মোৰ পইচা হলে তেতিয়া সকলোৱে আমৰ পৰা শুনিলেকে আহি মোৰ ভৰিৰ তলুৱা চেলেকিব।

***লেহত মই ৰাপিৰাম ◌ঃগুৱাৰ বুধিত, পৰামৰ্শত, হুকুমত চলিব লাগিব নেকি ? ছিঃ! ছিঃ ! এইবাৰ ৰবচাহাবে তাক পালে একেগোৰেই তাৰ পেটৰ জৰখাপৰি ফালিব । জুইৰে সৈতে খেমালি !”

ভূধৰে এইদৰে মনে মনে ভাবি থাকোঁতেই হঠাৎ সৰুৰাম হাজিৰা মহৰী উধাতু খাই লৰি আহি তেওঁক বাতৰি দিলে যে “ৰবচাহাবে দহ লম্বৰ দাগৰ চাহবাগিচা ডোখৰ চাই ৰঙলাৰ ফালে উভতি আহোঁতে নিজান বাট এডোখৰতে কোনোবাই টাঙনিয়াই ৰবচাহাবৰ ভৰি ভাঙিলে, আৰু মূৰটো ফালিলে । ওচৰতে চাহাবৰ ঘোঁৰাটোও কঁকাল ভাগি পৰি চটফটাই আছে । আপুনি লৰি আহক, বাগিচাত হাহাকাৰ পৰি গৈছে, কোনে এই কাম কৰিলে, তাক বিচাৰি মানুহে চাৰিউফালে পিয়া-পি লগাইছে, কিন্তু পোৱা নাই ।”

বৃত্তান্ত শুনি ভূধৰৰ আৰু বুজিবলৈ বাকী নেথাকিল যে তেওঁলোকৰ বুঢ়া লগুৱা ৰাপিৰামৰে এই কাম । সেই কথা মনতে ৰাখি ভূধৰ ঘটনাস্থললৈ লৰি গল ।

ইফালে ৰাপিৰামে পলাই আহি ৰংপুৰৰ থানাত খবৰ দিলে যে, সি দীঘলিটিং বাগিচাৰ ৰবচাহাবক মাৰি আহিছে। তাক কাঁচী দিয়ে ৰৰশীত দিয়ে ৰি কৰে চৰকাৰৰ ঘৰৰ পৰা সোনকালে কৰক ।

সপ্তম আধ্যা

ৰাপিৰামে যদিও দুষ্ট চাহাবক একেবাৰেই মাৰি থৈ আহিছিলোঁ বুলি ভাবিছিল, কিন্তু চাহাব নমৰিল । বাগিচাৰ ডাক্তৰ আৰু জিলাৰ ডাক্তৰ ডাক্তৰৰ চিকিৎসাত তেওঁ এমাহৰ ভিতৰতে আৰোগ্য হৈ উঠি, চিৰকাললৈ ভাৰতবৰ্ষ এৰি, ঘূণীয়া শৰীৰ লৈ বিলাতলৈ গুচি গল । বুঢ়া ৰাপিৰাম তিনি বছৰৰ নিমিত্তে ৰবকাটকলৈ গল । ভুধৰে নিজৰ মৈণীয়েক আৰু ভতিজা জীয়েক তিলকাক লৈ চাকৰি ইস্তফা দি জোঁকতলীলৈ উভতি আহি খেতি-বাতি কৰাই পৈতৃক ব্যৱসায় পূজা-সেৱা আদি কৰি সুখেৰে জীৱন-যাত্ৰা নিৰ্ব্বাহ কৰিবলৈ ধৰিলে। তিলকাৰ হঠাৎ জ্ঞানচকু মুকলি হ'ল । ঈশ্বৰ উপাসনা, পৰৰ উপকাৰ, দয়া ধৰ্ম আৰু পবিত্ৰভাৱে কায়মনোবাক্যে তেওঁ সময় কৰি তেওঁৰ ইহকালৰ নিষ্কলা জীৱন সফল কৰিলে । ৰাপিৰামে তিনি বছৰ আনন্দ মনেৰে কাটিব খাটি তাৰ পৰা গুচাই আহি আকৌ জোঁকতলীৰ থাটনিয়াৰৰ ঘৰত তাৰ আগৰ

ঠাই আগতকৈও গৌৰৱেৰে পূৰাবলৈ ধৰিলে । ৰাপিৰাম উভতি আহিলত ভূধৰে তাক আকোঁৱাল মাৰি ধৰি কলে, “ৰাপিৰামকাই ! তুমি মোৰ বৰ ককাইতকৈও বৰ ।”

লম্বোদৰ ডেকা

দেওবাৰ । ৰাতিপুৱা ৭ বজা । এখোজ দোখোজকৈ পায়চালি কৰি লাহে লাহে ৰঘুনাথ চিৰস্তাদাৰৰ ঘৰ পালোঁগৈ । দেখোন চিৰস্তাদাৰ ডাঙৰীয়াই হৰিদেউ কয়চলানৱিচৰে সৈতে বহি দবা খেলত নিমগন । ইমান পুৱাই তেওঁলোক খেলত বহিয়া হোৱাটো বাস্তৱতে মোৰ মনত অলপ অদ্ভুত যেন লাগিল । হৰিদেউ খেল-পগলা মই জানো ; কিন্তু আমাৰ চিৰস্তাদাৰ ৰঘুনাথও যে তলে তলে সেই কাৰ্য্যত ইমানদূৰ আগবাঢ়িছে এই কথা ইয়াৰ আগেয়ে মোৰ জনা নাছিল । মই চিৰস্তাদাৰৰ চ'ৰাঘৰ সোমায়েই তেওঁলোকক ইংৰাজী মতে “গুড্‌মৰ্ণিং” অৰ্থাৎ সুপ্ৰভাত বুলি সভাষণ কৰিলোঁ । চিৰস্তাদাৰে সম্ভাষণ শুনি মোৰ ফালে কেৰাহিকৈ চাই এধা-মৰা মিচিকীয়া হাঁহি এটাৰ এডোখৰ মাৰি তিনি ঠেং আছে এঠেং নাই, এনে এখন মাচিয়াৰ ফালে চকু পিৰিকিয়াই দেখুৱাই মোক বহিবলৈ অনুমতি দিলে । কিন্তু সিজন খেলুৱৈৰ মোৰ ফালে মূৰ দাঙি চাবলৈকো আহৰি নহল । মই অলপ পৰ টলকা মাৰি বহি থাকি দেখিলোঁ, গতি বিষম । মাত লগালোঁ, “চিৰস্তাৰ ডাঙৰীয়া, চিৰস্তাৰ ডাঙৰীয়া এখন্তকমান আপোনাৰ আহৰি হব নে ? মই কথা এষাৰ সুধিবলৈ আপোনাৰ ওচৰলৈ আহিছিলোঁ ।” চিৰস্তাৰদাৰ মূৰ নদঙাকৈয়ে উত্তৰ দিলে, “হব কওক, কি কথা ?” মই কলোঁ, “দুৰ্ভগীয়া লম্বোদৰ ডেকাটোক আপোনালোকে কি কৰিবৰ দিহা কৰিছে ? সি নিগনে বুবিল নহয় । তাৰ এটা গতি নকৰিলে হব কেনেকৈ ?”

চিৰস্তাদাৰে দবা-বৰিৰ ওপৰতে পুৰাকৈ চকু ৰাখি আৰু মোৰ ফালে আদখিনীয়াকৈ মন দি উত্তৰ দিলে, “কৰিব গতি, নৌকাৰে তাক খেদি দি গজেৰে মাৰিম ।” মই মিচিকীয়া হাঁহি মাৰি মাত লগালোঁ, “কি তাক নৌকাৰে খেদিব গজেৰে মাৰিব সি এনেই মৰিয়েই আছে ।” ইমানখিনি বেলিৰ পিচত হৰিদেউ কয়চলানৱিচে হঠাৎ মাত্ৰ পেলালে, “কাৰ গজে তাক মাৰিব পাৰে হেঁ ? মোৰ এইটো ৰখি এই ঘৰত, লেইটো থোৱা সেই ঘৰত ।”

মই দেখিলোঁ এওঁলোকৰ যোগ বিষম । ত্ৰিলোকী বুলিলেই হয় । এওঁলোক খেলত ইমান মগন হৈ আছে যে, এওঁলোকক গৰ্জন্ত হিলী মাৰেৰে

"বেহুচ" বুলিব পাৰি। এনেস্থলত স্থান পৰিত্যাগেই নীতি, শাস্ত্ৰৰ উপদেশ। এই ভাবি মই বাৰ বিস্কু একোকে নুবুলি সাউৎকৰে উঠি দুৱাৰমুখ পালোঁগৈ। হঠাৎ চিৰন্তাদাৱে যেন সাৰ পালে। তেওঁ ব্যস্ত হৈ মোৰ ফালে চাই মাত লগালে, "নেবাৰ, আপুনি খং কৰি কলৈ যায়, আমাৰ খেলৰ অন্ত পৰিল, আৰু সৰহ বেলি নাই, বহক।" মোৰ মনত আকৌ অলপ আশাৰ সঞ্চাৰ হ'ল, আৰু আমাৰ দেশৰ বুঢ়া লোকৰ কথাষাৰও মনত পৰিল যে, "নুবুৰে মানে বাবা, নমৰে মানে চাবা।" গতিকে মই আকৌ উভতি আহি, আগৰ সৌ ত্ৰিপদী চকিক মোৰ ভৰি এখনেৰে ঢোকা দি চতুষ্পদী কৰি লৈ নিজৰ বহুমূলীয়া মূৰ হাত আদি অঙ্গ-প্ৰত্যঙ্গ কেইটাক নিৰাপদে তাৰ ওপৰত ৰাখিবৰ দিহা কৰি বহি গলোঁ। কিন্তু দুখৰ কথা কি কম, খেলমতলীয়া চিৰন্তাদাৰ নিমিষতে খেলত ভোল গল আৰু মোৰ সমাজিকৰ গবৈমাছটোও থিতাতে জানিবা হাতৰ পৰা পিচলি পানীত পৰিল। মই মনে মনে নিশ্চয় কৰিলোঁ যে, ই কথাও কথা নহয়, এইবাৰ মই সুৰুঙা পালেই নিশ্চয় সৰকি পৰিম আৰু এওঁলোকৰ ওচৰত নেথাকোঁ। এই সঙ্কল্প কৰি থাকোঁতেই, ধৰ্ম্মেশ্বৰ পেচকাৰৰ পুতেক মৰ্ম্মেশ্বৰ ভটংকৰে তাত ওলালহি। মৰ্ম্মেশ্বৰে কলিকতাত বি-এ মহলা দি ঘৰলৈ উভতি আহিছে, আৰু বন্ধু-বান্ধৱ আদিক দেখা কৰি ফুৰিছে। মৰ্ম্মেশ্বৰক দেখি চিৰন্তাদাৱে "বোপা আহঁা আহঁা" বুলি মাতি বহুৱালে, আৰু কলে, "বোপা আহিলা ভালেই হল, তেখেত একৰকম অকলৈ থকাদি আছিল, তুমি তেওঁৰে সৈতে দুই-চাৰি আষাৰ কথা পাতঁা, আমি এতিয়াই আহৰি পাম, আমাৰ হলেই ধৰঁা।"

মই মৰ্ম্মেশ্বৰ বোপাৰ ফালে চাই কলোঁ, "এবা বোপাদেও, এওঁলোকৰ ওচৰলৈ দুৰ্ভগীয়া নবোদৰ ডেকাৰ বিষয়ে মই পৰামৰ্শ কৰিবলৈ আহিছিলোঁ; কিন্তু এওঁলোক খেলত ইমান মজি আছে যে, সি হৈ উঠাৰ আগন্তুক নাই। এওঁলোকৰ গচ্-গতি দেখি মই গুচিয়েই যাব খুজিছিলোঁ, এনেতে কি ভাগ্য তুমি আহি ওলালা। সি যি হওক বোপা, তুমি কেতিয়া আহিলা? গা ভাল?"

মৰ্ম্মেশ্বৰ।—"কালি পালোঁহি। গা ভাল। আপোনাৰ গা ভাল নে?"

মই সন্তৰ্পণে উত্তৰ দিলোঁ, 'ঈশ্বৰৰ কৃপাত ভাল।'

মৰ্ম্মেশ্বৰ।—"কি নবোদৰৰ কথা কৈছিল আপুনি? কোন নবোদৰ? তেওঁৰ কি হল?"

মই উত্তৰ দিলোঁ, "এ বোপা, তুমি শুনা নাই হুনা? কিমান কম, কিনো জানিবা!"

মৰ্ম্মেশ্বৰ।—"কওকচোন কওক।"

"শুনা তেন্তে" এই বুলি কবলৈ ধৰিলোঁ।

"মাহীমেলীয়া ৰকম্বাৰ ঘৰৰ ল'ৰা নবোদৰ ডেকাৰ নাম অৱশ্যে তুমি কলিকতালৈ যোৱাৰ আগেয়ে শুনিছিলা। তেওঁ মহা বিপাকত পৰিছে। আজি দুমাহমানৰ আগেয়ে এটা গোচৰৰ আপীল কৰিবলৈ তেওঁ গুৱাহাটীলৈ যাবলগীয়া হৈছিল। সেই সময়ত গুৱাহাটীলৈ যেহা বেপাৰ কৰিবলৈ যোৱা নাও এখন পাই তেওঁ তাকৰীয়া খৰচতে কাৰ্য্য সিদ্ধি হব ভাবি, নাৱৰীয়াহঁতক অলপ দিক-থম বুলি বন্দবস্ত কৰি সেই নাৱতে গুৱাহাটীলৈ ধাবলৈ বুলি উঠিল। নাওখন আইঁতগুৰি পাইছেগৈ, এনেতে বিধিৰ বিপৰীত বিধান, তেওঁৰ ।জ্ব্ কঁপে জৰ উঠিল। সেই জৰেই সেৰানেপেৰাকৈ তেওঁক তিনি দিন অজ্ঞান কৰি পেলাই থৈছিল। জৰটো অলপ কমিলত তেওঁ জ্ঞান পাই 'ভোক ও পিয়াহ ও' কৰিবলৈ ধৰিলে। নাৱৰীয়াহঁত বিবুদ্ধি। সিহঁতে বামুণৰ মুখত ভাত-পানী কেনেকৈ দিয়ে! সিহঁতে হাত-যোৰকৈ কলে, 'ডেকাদেও, আমি শুদিৰ মানুহ; কেনেকৈ আমি ৰন্ধাভাত আপোনাৰ মুখত দিওঁ? আমি বিষুধি সাগৰত পৰিছোঁ; অথচ আপোনাৰ গাতও শকতি নাই যে আপুনি উঠি নিজে এমুঠি ভাত বান্ধি খায়।' নাৱৰীয়াহঁতৰ কথা শুনি নবোদৰে পেহাই পেহাই কলে, 'ককাইহঁত। জাতটো পিছৰ কথা। সম্প্ৰতি ভাতৰ মণ্ড এটোপা মোৰ মুখত নিদিলে মোৰ প্ৰাণ যায়।' নাৱৰীয়াহঁতেও আলচ কৰি থিৰ কৰিলে যে তেওঁৰ মুখত ভাতৰ মণ্ড এটোপা দিয়াৰ কৰ্ত্তব্য নতুবা সিহঁতৰ গাত ব্ৰহ্মবধ পাতক লাগিব। ইয়াৰ পিচতো সিহঁতে তেওঁক দিনৌ একো মুঠি ভাত বান্ধি খুৱাই ঢোকা-ভেজা দি কোনো মতে গুৱাহাটী পোৱালেনি। গুৱাহাটী পাই নবোদৰে চিনাকি মানুহ এঘৰত কিছুদিন থাকি লাহে লাহে গা টঙালে, আৰু তাৰ পিচত গোচৰৰ আপীল কৰি গোচৰ জিকি ঘৰলৈ উভতি আহিল। কিন্তু উভতি আহি তেওঁৰ অথন্তৰ মিলিল। তেওঁ ঘৰ পোৱাৰ দিন-চেৰেকৰ পিচতে কেনেবাকৈ ঘুনুকথানাক ৰাতৰি ওলাল যে, নবোদৰে গুৱাহাটীলৈ যাওঁতে বাটত হীন জাতৰ হাতে ভাত খালে। সকলোৱে এই কথা শুনি চাৰিওফালে খী-বিয়াবলৈ ধৰিলত, বাইজে মেলত বহি নবোদৰৰ জাত গল বুলি তেওঁক একৰীয়া কৰি এৰিলে। নবোদৰ সিঠকন্ধা হল, তেওঁৰ মুখত হঠাৎ আকাশী চৰণ আপি পৰিল আৰু তেওঁৰ বন্ধু-বান্ধৱ মিত্ৰি-কুটুম কোনেও তেওঁৰ হাঁ মৰবা হল। সৈতে দুৰ্বিপাকত পৰি নবোদৰ ডেকা আজি ঘূৰণসিৰিয়াৰ আৰু বাটৰ এৰিয়া। আজিকালি তেওঁ বজিৰাৰ মাজে কিবাকিবিৰ বকলি ধাতি আঠি ঠোঁ ঠোঁ কৰে ঘূৰি ফুৰে। ধন্যুৰাৰ দশা দেখিবে

চকুৰ পানী নুটুকি থাকিব নোৱাৰি। নাৱিয়াত পৰি নোৱাৰা পক্ষত তেওঁ হীন জাতৰ হাতে ভাত খালে বুলি পৰাচিত হৈও জাত পাব নোৱাৰা হল নে? এনে অন্যায় ব্যৱস্থা কত দেখিছা কত শুনিছা! হিন্দু শাস্ত্ৰ হিন্দু ধৰ্ম্মৰ 'দোহাই' দি আমাৰ দেশৰ এই পণ্ডিত নাম খোৱা মুৰ্খখনে মানুহক লৈ-লৈ থৈ-থৈ কৰি মাৰিব পায় নে বাৰু, কোৱাচোন বোপা? দুৰ্ভগীয়া লখোদৰক উদ্ধাৰ কৰিবলৈ কিবা দিহা কৰিব লাগিব বুলি আলচ কৰিবলৈহে মই এই পুৱাই আমাৰ চিৰন্তাদাৰ ডাঙৰীয়াৰ ওচৰলৈ আহিছিলোঁ। মানুহটোক পৰাচিত-তৰাচিত কিবা এটা কৰি ভাল কৰিব পাৰি-বা-চাৰি; অন্ততঃ কৰাটো উচিত। আমাৰ আধা-বুন্দা পণ্ডিতহঁতে ব্যৱস্থা নিদিয়ে নাই, শাস্ত্ৰই দিব, ধৰ্ম্মই দিব, ঈশ্বৰে দিব, ন্যায় আৰু বিবেক বুদ্ধিয়ে দিব। তেওঁৰ মিছা বন্ধু-বান্ধৱে গোট খাই তেওঁক ধ্বংস কৰিবলৈ ধৰিছে। কিন্তু যেয়ে যিহকে কওক, আমি চেষ্টা কৰি মানুহটোক ৰক্ষা কৰিব লাগিব, নতুবা আমাক ঈশ্বৰে দণ্ডিব; এই কথা নিশ্চয়!"

মৰ্ম্মেশ্বৰ।—"নিশ্চয়, নিশ্চয়, এশবাৰ নিশ্চয়! এইটো By Jove! বৰ অন্যায় কথা। What the world is coming to!—I beg your pardon মোক আপুনি 'মাফিব' অৰ্থাৎ ক্ষমা কৰিব বুজিছে নে, মই ইংৰাজী কোলোৱাটো proper মানে উচিত হোৱা নাই, এইটো slip of tongue অৰ্থাৎ জিভাৰ পিচলনি। মই কৈছিলোঁ, ইন্দ্ৰৰ শপত! সংসাৰখন কিহৰ ফালে গৈছে কব পাৰে নে? আমি প্ৰাণপনে মিষ্টৰ ডেকাক ভাল কৰিবলৈ চেষ্টা কৰিব লাগে। নিশ্চয়, নিশ্চয়।"

এনেতে চিৰন্তাদাৰৰ খেলৰ ওৰ পৰিল। তেওঁ "কি হৈছে" বুলি সোধাত, মই লখোদৰ ডেকাৰ বিষয়ে কি কৰা যাব বুলি তেওঁক সুধিলোঁ। তেওঁ কলে, "কৰিব একো নোৱাৰি। হিন্দু ধৰ্ম্মৰ মতে তেওঁৰ জাত গল, আৰু উদ্ধাৰ নাই। হীন জাতৰ ভাত খালে বামুণৰ জাত কত থাকে হেঁ?" মই উত্তৰ দিলোঁ, "মতে থকা উচিত ততে থাকে। অপাৰগ পক্ষত বামুণে বিজাতিৰ হাতে ভাত খালেও তেওঁৰ জাত নেযায়। যোৱা উচিত নহয়। হিন্দু ধৰ্ম্ম উদাৰ ধৰ্ম্ম। আপোনাসকলেহে তাৰ মৰ্ম্ম নুবুজি তাক অনুদাৰ পাতিছে।"

খেল-পগলা ফয়চলানবিচে সেখোন এনেতে মুখ ৰজাই উঠিল, "নেথাকে হেঁ, জাত নেথাকে। তুমি হিন্দু ধৰ্ম্মৰ বিষয়ে একোকো নোজানা। হিন্দু ধৰ্ম্মৰ ওপৰত মতামত প্ৰকাশ কৰাটো তোমাৰ অনধিকাৰ চৰ্চ্চা।"

মই খঙতে পকি-জকি উঠি উত্তৰ দিলোঁ, "অনধিকাৰ চৰ্চ্চা যদি কাৰবাৰ, সেইটো আপোনাৰহে। আপুনি খেলৰ বাহিৰে আন কিবা জানে বুলি মই নেজানো। আপুনি হিন্দু ধৰ্ম্মৰ সম্পৰ্কে যদি কিবা জানিলেহেঁতেন তেন্তে এনে ঠেক মনৰ কথা নকলেহেঁতেন। আপুনি জনা শাস্ত্ৰ হিন্দু শাস্ত্ৰ নহয়, সেইখন চেকিঠোৰা শাস্ত্ৰহে। হিন্দু শাস্ত্ৰই মানুহক খুন্দি গুড়ি কৰিবলৈ নকয়, চেকিঠোৰা শাস্ত্ৰইহে তেনে ব্যৱস্থা দিয়ে। এই কথা সহজ জ্ঞানেই বিভিয়াই কব লাগিছে। কিন্তু চিৰন্তাদাৰ ডাঙৰীয়া আৰু ফয়চলানবিচ ডাঙৰীয়া, আপোনালোকে এই দেশত এৰাগছেই গছ হৈছে, হওক তাত আপত্তি নাই, আৰু আপোনালোকে ভোটৰকচু মুৰ্খ পণ্ডিতেৰে সৈতে গোট খাই দুখীয়া লখোদৰক পিণ্ডত দিছে দিয়ক, কিন্তু ঈশ্বৰে আপোনালোকক ইয়াৰ প্ৰতিফল দিব নিশ্চয় জানিব।" এই বুলি মই একেচাবেই তাৰ পৰা উঠি গুচি আহিলোঁ।

লাওখোলা

কলিকতাৰ ফালে "বাগান বাড়ী" কাক বোলে, অসমীয়া মানুহৰ ভিতৰত ভালেমানে তাক "খায় নে কাণত পিন্ধে" কʼবই নোৱাৰে। ভিকহ বদনামৰ চেকাৰে কলা-মলা অসমত বিদেশী মানুহৰ আগত লাজ নলগাকৈ উলিয়াব পৰা অন্ত তত এক বিঙৰ বাটত দুখৰ এখৰ মানুহৰ দুটা-এটা ঘৰৰ বাহিৰে সৰহখিনি অসমীয়া মানুহৰ ঘৰ, তাহানি পুৰাণত লিখা বকদল ঋষিৰ ঘৰ, আৰু শোৱাপাটী, বিদুৰৰ শয্যাৰে বিজাৰ পৰা। এনে স্থলত "বাগান বাড়ীৰ" বাতৰি তেওঁলোকৰ পক্ষে আদাৰ বেপাৰীৰ জাহাজৰ খবৰৰ নিচিনা বুলিব লাগে। মানুহৰ ঘৰুৱা আৰু বাহিৰা দুসাজ কাপোৰৰ দৰে, কলিকতাৰ প্ৰায় চহকী গৃহস্থৰ দুখন ঘৰ থাকে; এখনৰ নাম তেওঁলোকে "বসতবাড়ী" আৰু আনখনৰ নাম "বাগানবাড়ী" ৰাখিছে। বসতবাড়ী মানে সদায় বাস কৰি থাকিবৰ ঘৰ, আৰু বাগানবাড়ী মানে, বসত-বাড়ীত থাকোঁতে থাকোঁতে ভোটা হোৱা মন গা তালৈ লৈ গৈ শনাই চোকা কৰি আনিবৰ অৰ্থে ৰখা ঘৰ। চহৰৰ পৰা বেচ্ এলেগি পোৱা ঠাঁইত, আম, কঠাল, লেচু, কল, নাৰিকল আদি ফলৰ গছ, গোলাপ সেউতী মালতী জাঁই যুঁতি আদি ফুলৰ গছ, "ক্ৰটন" "পাম", পাপৰ মাহী আদি স্বদেশী বিদেশী নানা বৰণীয়া নানা ঠগীয়া পাতৰ গছ থকা, আৰু বৌ-বাহ আদি পোহনীয়া মাছেৰে ভৰা পুখুৰী

এটা আৰু ইটাৰে সৈতে ধুনীয়া পকীঘৰ এটা বা দুটা থকা শুৱনি বাগিচা এখনকে বঙলা মাতেৰে "বাগানবাড়ী" বোলে। বাগিচাৰ গৰাকীয়ে মাজে সময়ে দুই চাৰিজন সমনীয়া অন্তৰঙ্গ বন্ধু লগত লৈ, ঘোঁৰাৰ গাড়ীৰে বা ৰেলগাড়ীৰে নাইবা (নৈৰ পাৰত হলে) নাৱেৰে সেই বাগিচালৈ আহি, এই সংসাৰৰ বিস্তৰ দুখৰ-দিন-বালি ধুই এচিকটা আদ-চিকটা সুখৰ-দিন-সোণ উলিয়াই লৈ উপভোগ কৰে। তাত বৰশী নাইবা জাল আদি তামসিক অস্ত্ৰেৰে বাগিচাৰ ভিতৰৰ পুখুৰীনিবাসী আশ্ৰিত পালিত ৰৌ বাহু আদি মাছৰ প্ৰতি নিষ্কাৰণ বৈৰতাচৰণ কৰি সিহঁতক বধ কৰি সিহঁতৰ শৰোৰ পেটত ভৰোৱা হয়। আম নাৰিকল লেচু আদি গছৰ ফল "জবৰ্দস্তি" কৰি পাৰি উদৰান্তৰ্গত কৰা হয়; পুখুৰীত নামি জলকেলি কৰা হয়; আৰু মাছ মঙহ আদিৰে ভোজভাত খাই অজগৰ পৰাদি পৰি থকা হয়। কোনো কোনোৰ বাগানত বাই-নাচ নটী-নাচ আৰু ফটিকাৰ বিভৎস আমোদৰ ভৰসোঁত যে নবয় এনে নহয়; কিন্তু সেই বিধৰ কাম স্বভাৱ ভেদে কাৰ্য্য ভেদৰ নিয়ম অনুসৰি চলে বুলি ধৰিব লাগে। মুঠতে কবলৈ গলে, অফিচ কাছাৰী আদি বন্ধৰ দিনত বাগানৰ আমোদ আহলাদ খোলা হয়। সেই দেখি শনিবাৰ আহিলেই বাবুসকলৰ মুখত লোভৰ পানী ওলায়; আৰু শনিবাৰক "সোণৰ শনিবাৰ" নাঃ দি তেওঁলোকে আদৰকৈ মাতে।

এনে বন্ধৰ এদিনত বন্ধুবৰ নিৰ্ম্মলচন্দ্ৰ বানুজীৰ উচটনিত মোৰো গাৰ আৰু মনৰ চহৰীয়া মলি আৰু মামৰ ঘঁহি গুচাবৰ মনেৰে তেওঁৰে সৈতে তেওঁৰ দমদমাৰ বাগানবাড়ীলৈ গতি কৰিলোঁ। আমাৰ লগত আৰু দুই চাৰিজন পালি বন্ধু যে নাছিল এনে নহয়, কিন্তু বাই-নাচ আদি আন কোনো প্ৰচলিত উপসৰ্গ বা প্ৰত্যয় নাছিল গুণে, সেই বিধীয়া বন্ধুৰ লেখও কম হৈছিল। মোৰ সৰুৰে পৰা মাছ ধৰা বায়ু। নিৰ্ম্মল বাবুৰ বাগিচাৰ পুখুৰীত সেই বায়ুৰ পাল মোৰ মন-নাৱত ভালকৈ তৰি দিব পাৰিম। এই লোভত মই উছাহেৰে ওলালোঁ। ওলালোঁ বোলাটো ঠিক নহয়; কাৰণ, কলিকতাৰ আলি-বাটত ৰাতি মতলীয়া মানুহক কনিষ্টবলে ধৰি থানালৈ টানি লৈ যোৱাদি বাস্তৱিকপক্ষত মোক সেই মাছ ধৰা বায়ুৱে ধৰি সেই বাগিচালৈ টানি লৈ গল, আৰু নিৰ্ম্মল বাবু নিমিত্তৰ ভাগী হল মাথোন। ৰাতিপুৱাই তপতে তপতে প্ৰকৃত স্বদেশী চাহ-পানী এবাটি পেটত পেলাই নিবৰু নিশা শুকাই থকা শৰীৰৰ গুৰিত সেই কাৰ্য্যৰ দ্বাৰাই পানী এটোপা দি সাত বজাৰ সময়ত ঘৰৰ পৰা ওলাই, নিৰ্ম্মল বাবুৰে সৈতে গৈ আঠমান বজাত তেওঁৰ বাগিচা পালোঁগৈ। তেওঁৰ লগত জলপান পাতি গৈছিল, লগুৱা লিকচৌ গৈছিল, খাবৰ দাবৰ অনেক বয়বস্তু গৈছিল; গতিকে বাগিচা পায়েই আমি জলপান একোটাৰে, বাটত অলপ অলপকৈ ধোঁৱাই অহা পেটৰ খং-জুই মাৰ নিয়ালোঁহঁক। নিৰ্ম্মল বাবুৰ মানুহে আগদিনাই তালৈ গৈ মাছ ধৰিবলৈ জালোৱা ঠিক কৰি থৈছিল; আমি গলতে সেই জালোৱাই পুখুৰীত জাল পেলাই দিলে। টনা ৰবজালে পুখুৰীৰ ইপাৰৰ পৰা সিপাৰলৈ লাহে লাহে মাছ চুঁচি টানি লৈ যাবলৈ ধৰিলে। জাল পাৰৰ ওচৰ চাপিলতে তাত পৰা আৰু নপৰা সৰু বৰ মাছবিলাকে, ৰবা-ধানৰ আখৈয়ে তপত খোলাৰ পৰা জপিয়াদি জপি-য়াবলৈ ধৰিলে। আৰু দৰ্শকসকলৰ মনেও লগে লগে, সেইটো গল ঔ! সেইটো ধৰ ঔ! সেইটো বৰ মাছ ঔ!! এনেবিলাক উদ্বিগ্নৰ ধ্বনি কৰি জপিয়াবলৈ ধৰিলে। অন্তত ডাঙৰ ডাঙৰ ৰৌ, বাহু মাছ আঠোটা কি দহোটামান ৰাখি বাকীবোৰ নিৰ্ম্মল বাবুৱে আকৌ পুখুৰীত এৰি দিবলৈ জালোৱা-হঁতক ক'লত সিহঁতে তাকে কৰিলে। জালখন টানি বামলৈ তুলি আনিলত দেখা গল যে, মাছৰ লগতে তাত মানুহৰ লাওখোলা এটাও উঠিছে। সেইটো দেখি আমাৰ উৎসাহৰ সোঁতত ক্ষন্তেকলৈ এটা ভেটা পৰা যেন লাগিল। কি আপদ! মানুহৰ মূৰটো ওলালহি কৰ পৰা! এই বুলি আমি সকলোৱে কোৱামেলা কৰিবলৈ ধৰিলোঁ। মোৰ হাতত চাহগছৰ লাখুটি এডাল আছিল, তাৰ আগেৰে আমাৰ আনন্দৰ বিঘিনি সেই লাওখোলাটো জালৰ পৰা একোবাই পাৰৰ ফালে অলপ দূৰলৈ পেলাই দি মৎস্য-পুৰাণৰ সেই আধ্যাৰ সেইখিনিতে ওৰ পেলালোঁ।

ভোজন ব্যৱস্থাৰ দ্বিতীয় আধ্যা ৰং ধেমালিৰে আৰম্ভণ কৰি ৰন্ধা বঢ়া মাছ মঙহ পিঠা ভাত আদিৰে সমাপন কৰা গল। সেই আধ্যাৰ বহল বিৱৰণ দিয়াটো যুগুত যেন বিবেচনা নকৰোঁ; কিয়নো সেই লোভলগা বিৱৰণ শুনি আমাৰ পাঠকসকলৰ মুখৰ পানী অনাহকত পৰাৰ বাহিৰে আন একো নহয় আৰু সেই পানীৰ নিবৃত্তিৰ উপায় ততালিকে কৰিব নোৱাৰাৰ বাবে আমাৰ গাতে দোষ চুব।

তৃতীয় বা শেহ আধ্যা হাতত লৈ কোৱা যাওক যে সেই ৰাতিটো আমি বাগিচাতে থাকি কটাবৰ মনস্থ কৰি ৰাতিৰ যোগ্য খোৱা-শোৱাৰ আয়োজন কৰিলোঁহঁক। তাৰ ঘৰৰ ভিতৰত শুৱৰ সুন্দৰ আয়োজন অনেক। গাখীৰৰ ফেনৰ নিচিনা শুকুলা নিৰ্ম্মল শোৱাপাটী, আৰু সেই শোৱাপাটীৰ মান ৰক্ষা কৰি চলিব পৰা সুন্দৰ গাৰু আৰু চাৰিওফালে চকি

মেজ আদি উপকৰণ বিস্তৰ। ঘৰৰ ভিতৰ বাজ বগা শিলৰ নজিয়াৰে জকজকীয়া আৰু বাৰ চাল কৰা মাৰলি বহনসনা আৰু নানান নক্সা ছবি আদিৰে চকচকীয়া। নির্ম্মল বাবুকে প্ৰমুখ্য কৰি সকলোৱে ঘৰৰ ভিতৰত সেই মনমোহা শোৱাপাটী বিলাকত শুবৰ দিহা কৰিলে ; কিন্তু মই সেই মিহি বলবৰত্তত উভঁহা উলিয়াই বাহিৰত পুখুৰীৰ বগা শিলৰ খটখটাৰ ওপৰত শুবলৈ ঠিক কৰিলোঁ। মোৰ মতলব আছিল এইটো যে সুন্দৰ জোনাকত জুৰ ফুৰ্কুৰীয়া বতাহ গাত লগাই স্বভাৱৰ বিচিত্ৰ শোভা চাই অনন্ত আকাশৰ অনন্ত গৌৰৱৰ ফালে একচিতে চকু দি বিশ্বেশ্বৰৰ বিশ্বব্ৰহ্মাণ্ডৰ লীলা অনুভৱ কৰিবৰ সুবিধা পাম। নির্ম্মল বাবুৱে মোৰ এই অদ্ভুত বন্দবস্তত দোৰ্ষোৰ আপত্তি কৰিলে। তেওঁ কলে, "ই হবই নোৱাৰে। বাহিৰত শুই গাত নিয়ৰ লগাই চেঁচা লগাই তোমাৰ কাইলৈ গা বেয়া কৰক আৰু তেতিয়া মোৰ গাত দায় লাগিব আৰু তাৰ বাহিৰে পুখুৰীৰ পাৰত সাপ-সুপ কত কি বাতি ওলাব এনে কথা অসম্ভৱ, কোনোমতে হবই নোৱাৰে।" মোৰ কিন্তু বামুণৰ গ, শুম বুলি দৃঢ় প্ৰতিজ্ঞা কৰি বহিলোঁ। মোৰ মইমতীয়া স্বভাৱৰ বিষয়ে নির্ম্মল বাবুৰ জনা আছিল। তেওঁ যেতিয়া বুজিলে যে মোক মোৰ সঙ্কল্পৰ পৰা লৰোৱা টান, তেতিয়া তেওঁ তেওঁৰ লগুৱাইঁতক সেই পুখুৰীৰ পাৰৰ খটখটাৰ বগা শিলৰ ওপৰত মোলৈ শুবৰ দিহা কৰিবলৈ আদেশ কৰিলে ; আৰু নিমিষতে সেই আদেশ প্ৰতিপালিত হ'ল। আমি নিজ নিজ ঠাইত দীঘল দি দুখ ভাগৰৰ অন্তকাৰী টোপনিক মাতি নিমাত হলোঁইক। দিনত নৈৰ পাৰত ঘৰিয়ালে গা বদাই পৰি থকাদি বাতি পুখুৰীপাৰত মোক জোনাকত গা পোহৰাই পৰি থকা দেখি নিশা বিমানত ফুৰা দেৱতাসকলে কি ভাবিছিল কব নোৱাৰোঁ। কিন্তু তেওঁলোকৰ ভিতৰত কোনো চিকাৰী দেৱতাই যে মোৰ ওপৰত গুলী চলোৱা নাছিল এইটো ধুৰূপ ; নতুবা তেওঁ মোক আজি এই সাধু কবলৈ জীয়াই নথৈ নিশ্চয় মোৰ ছালেৰে তেওঁৰ চৰাঘৰ সজালেহেঁতেন। এই নিমাত নিকুট বাতি এটা বৰ আচকালৰ কথা হৈছিল যে, বাগিচাৰ গৰাকী নির্ম্মল বাবুৰ মনে মনে থাকিব নোৱাৰা স্বভাৱৰ নাকে ঘোঁট ঘোঁট শব্দ কৰি শোৰনি-ঘৰ তল-ওপৰ কৰি তেওঁৰ ওচৰৰ শোওঁতাসকলৰ শান্তি ভঙ্গ কৰিছিল। মই দূৰৰ পৰা-সেই অপৰূপ শব্দ শুনিছোঁ আৰু তেওঁৰ ওচৰৰ ঘৰৰ ভিতৰত নোশোৱা বাবে নিজৰ বুধিক ধইন ধইনকৈ শলাগিছোঁ। জোনৰ সুবিমল জোনাকে মোৰ গোটেইটো গা বুৰাই দিলে। মই আনন্দত আপ্লুত হলোঁ। এইদৰে জোন আৰু তৰাৰে ভৰপূৰ নীল আকাশলৈ চাই ঈশ্বৰৰ সৃষ্টি কৌশল আৰু মহিমাৰ বিষয়ে ভাবি থাকোঁতে থাকোঁতে কেতিয়া কোনটো ছেগত কব নোৱাৰোঁ, মনে মনে টোপনিয়ে আহি মোৰ মূৰৰ পৰা ভৰিলৈকে ঢাকি কলা কাপোৰ এখন মোৰ গাৰ ওপৰত পেলাই দিলে ; আৰু সেই কাৰ্য্যত বিনা প্ৰতিবাদে মই সৈনান হোৱা দেখি হবলা, মোৰ চকু কাণ আদি বাহিৰৰ বগুৱা লগুৱা ইন্দ্ৰিয়বোৰে ৰোহ পাতি ধৰ্ম্মঘট কৰি নিজৰ কাম বন বন্ধ কৰি দিলে।

এইদৰে "স্বাধীনতা হীনতাৰস্তাত নাবাচি" টোপনিৰ "দাসত্বশৃঙ্খল" ভৰিত পিন্ধি, কিমান পৰ আছিলোঁ কব নোৱাৰোঁ, কিন্তু হঠাৎ কোনোবাই মোৰ ভৰিত চেঁচা হাত এখন দিয়া যেন পালোঁ। চাট্‌কৰে টোপনিয়ে মোৰ গাৰ পৰা, ওপৰত কৈ অহা কলা কাপোৰখন তুলি নিলে আৰু কাৰবাৰ এই কেইষাৰ কথা মোৰ কাণত পৰিল ,—"হেঁগা বাবু মশায়। তোমাৰ কি আৰ ঘুম ভাঙবে না ? ওঠ না একবাৰটি, আমাৰ একটু কথা বলবাৰ আছে।" মই খক্‌মককৈ উঠি বহিলোঁ। দেখোঁ, পাৰি নিদিয়া শাৰী পিন্ধা ওৰণীৰে আধখিনি মুখ ঢকা, কুৰি-বাইশ বছৰ বয়সীয়া বঙালী তিৰোতা মানুহ এজনী মোৰ আগতে থিয় হৈ আছে। তিৰুতাজনীৰ মুখখন শেতা বিবৰ্ণ, যেন তাত কোনোবাই দুখৰ ডাঠ বহন সানি থৈছে। দুপৰ বাতি মই অকলশৰীয়া, এনে সময়ত এই গাভৰু তিৰোতাজনী কৰ পৰা কিয় আহি মোৰ ওচৰত থিয় হৈ আছে, আৰু লোকে বা কি বুলিব, কি নিন্দাৰ কথা হব, এই কথা ভাবি ভাবি মোৰ লাজ ভয় দুইটা সমানে লাগিল। মাতত সুৰ কঠুৱা আৰু তাল খৰ দি মই তাইক সুধিলোঁ,— "তই কোন ? ইমান বাতি মোৰ কাষলৈ কিয় আহিছ ?" তিৰুতাজনীয়ে মিহিকৈ উত্তৰ দিলে, "আমি কে, এখনই বলছি, ব্যস্ত হবেন না মশায়। কিন্তু, তাৰ আগে বলুন দেখি আপনি কে ? কাৰ পৰামৰ্শ শুনে আজ আপনি আমাকে টানা-হ্যাচড়া কোৰে নাস্তানাবুদ কৰলেন ? হেঁগা বাবু, তোমাৰ কাছে আমি এলুম, না তুমি আমাৰ কাছে এলে ? আচ্ছা উল্টোচাপ দেখছি।" মই আচৰিত হৈ মাত লগালোঁ, "কি কয় অ, এইজনীয়ে ! মই কেতিয়া তোক টনা আজোৰা কৰিলোঁ ? আৰু কেতিয়া তোৰ কাষলৈ আহিছিলোঁ ? তোৰ মতলবটো কি ? বাতি গোলমাল এটা পকাই মোৰ গাঁত বদনাম দি দাঁড়ি ধন উলিয়াই লবলৈ আহিছ হবলা ? সি কথা নেচেল। নির্ম্মল বাবুৰ বাগিচাত এনেকুৱা বেয়া শ্ৰেণীৰ মানুহ থকা বুলি জনাহেঁতেন মই কেতিয়াও ইয়ালৈ নাহিলোহেঁতেন। এই বাগিচাত এখন্তেকো ভাল মানুহৰ থকা উচিত নহয় দেখিছোঁ। সি যি হওক, তই ভালে ভালে মোৰ

কাষৰ পৰা যা ; নাইবা মালী আৰু দাৰোৱানহঁতক মাতি তোৰ চুলিকোছাত ধৰোৱাই এতিয়াই মই তোক চোচোৰাই উলিয়াই দিয়াম।" মোৰ ভাবুকি শুনি মানুহজনীয়ে মিচিকীয়া হাঁহি মাৰি সম্বিধান দিলে, "বাবুজী স্থিৰ হও, পাগলামী কৰোনা। তোমাৰ কাউকে ডাকতে হবেনা। আমাৰ দু-একটা দুঃখেৰ কথা আছে তা তোমাকে বলে এখনই চলে যাব। আমি তোমাৰ সঙ্গে ঝগড়া কৰতে আসিনি ; দু-একটা কথা বলে মনটা একটু হালকা কৰতে এসেছি মাত্ৰ। দৰওয়ান মালীকে আৰ ডাকাডাকি কেন, তাদেৰ চেয়ে ঢেৰ মস্ত লোকেও আমাৰ মাথাৰ ছেড়া চুল এক গাছিতে হাত দিতে পাৰে না। ওগো বাবু, বলি ব্যস্ত হইওনা। তোমাদেৰ একটুতেই ব্যস্ত হোয়ে উঠা স্বভাৱ আছে তা আমি জানি, কি তা না হোয়ে নাহয় একটু স্থিৰ হয়ে আমাৰ কথাটাই শুনলে, তাতে আৰ হানিটা কি ?—পুৰুষ। পুৰুষ। হে ভগবান। তুমি কি দিয়ে এই জিনিষটাকে গড়েছ জানিনে, জলেৰ নীচে লুকিয়ে পড়ে থেকেও তাদেৰ হাত থেকে নিস্তাৰ নেই।" মানুহজনীৰ কথা শুনি, আৰু তাইৰ কথা কোৱা গতিটো দেখি মই তথা লাগিলোঁ, আৰু মোৰ বুকুখন অলপ অলপকৈ লৰিবলৈ ধৰিলে। মই মনটো ডাঠকৈ মাত লগালো, "কি তই পানীৰ তলত লুকাই পৰি থকাৰ কথা বলকিছ ? পুৰুষে তোৰ কি কৰিলে, কি দৌৰাত্ম্য কৰিলে ? নিশ্চয় এইজনী মতলীয়া তিৰুতা। কৰবাৰ পৰা আহি কিবা কু-মতলবেৰে ৰাতি এই বাগিচাত সোমাইছেহি। দাৰোৱান। দাৰোৱান।"

মোৰ কথাষাৰ চুকাওঁতে নোচুকাওঁতেই তাই তাইৰ তৰ্জ্জনী আঙুলিটো মোৰ আগত জোকাৰি মাত লগালে, "চুপ। বলি খবৰ্দ্দাৰ চুপ। ফেৰ যদি তুমি আমাকে মাতাল বলে অপমান কৰবে তো তোমাৰ ভাল হবে না বলছি। আগে যাৰ দোষে যা হয়েছিলুম হয়েছিলুম ; সে সব হোয়ে গেছে। এখন আমি খাৰাপ মেয়ে নই। মাতাল নই। কোনও কুমতলবে তোমাৰ কাছে আসিনি। খবৰ্দ্দাৰ আৰ সে ৰকম কথা মুখ থেকে বেড় কৰবে না, যা কৰলে কৰলে।"

তিৰুতাজনীয়ে ইমান তেজেৰে সৈতে এই কথা কেইষাৰ কৈছিল যে মই থমকি গলো আৰু মোৰ গাৰ জোখটো দীঘলে কুঁচি গৈ কমি যোৱা যেন পালো। এনেতে হঠাৎ মানুহজনীৰ চকুৰে সৈতে মোৰ চকু একে হল। দেখি তবধ মানিলো যে, তাইৰ চকুৰ পৰা অসংখ্য জুইৰ ফিৰিঙতি ওলাইছে আৰু মুখৰ ভিতৰৰ দাঁতবোৰ, পুহমহীয়া জাৰৰ ঠেঁটুৰাইত কঁপা মানুহৰ দাঁতৰ দৰে, এপাৰিৰ ওপৰত এপাৰি পৰি ঠক্ ঠক্ শব্দ কৰিছে। এইবাৰ সঁচাকৈয়ে মোৰ বুকুত ভয়ে বাহ ললে, মুখৰ মাত হৰিল আৰু মই শোটমোত খাই পৰিলো। মোৰ অৱস্থা দেখি তাই খন্তেকতে শান্ত মূৰ্ত্তি ধৰি মিহিকৈ মাত লগালে, "তুমি না জেনে আমাকে সেই ৰকম কথা বলেছিলে, আমি বুঝতে পেৰেছি। আৰ বলোনা। আমি খাৰাপ লোক নই। কোনও খাৰাপ মতলবে আমি তোমাৰ কাছে আসিনি। দুঃখেৰ কথা একটা আদটা বলবাৰ জন্য তোমাৰ কাছে এসেছি। তুমি একটু মন দিয়ে শুনলেই আমি কৃতাৰ্থ হোয়ে চলে যাব।"

মই উত্তৰ দিলো—"বাৰু কি কব খুজিছা কোৱা, মনদি শুনিম।" তিৰুতাজনীয়ে কবলৈ আৰম্ভ কৰিলে। তাইৰ সেই কথাৰ অবিকল অসমীয়া ভাঙনি তলত দিলো।—

"এই বাগিচাখন আজিকালি কাৰ কব নোৱাৰোঁ। কিন্তু আগেয়ে ইয়াৰ গৰাকী আন এজন আছিল। সি আজি ডেৰকুৰি বছৰৰ আগৰ কথা। সেইজনা সম্বন্ধত মোৰ জেঠাল আছিল। মোৰ স্বামীৰ মুখ মই দেখিবলৈকে নাপালো। আমাৰ বিয়াৰ এমাহৰ পিচতে তেওঁ জহনীত পৰি ঢুকাল। মই তেতিয়া মোৰ আই বোপাইৰ ঘৰত উমলি ভাত খোৱা সৰু ছোৱালী। মোৰ চকাচমকাকৈ মনত পৰে, হঠাৎ এদিন আবেলি আমাৰ ঘৰত কোঢ়াল লাগি পৰিল। মই ঘৰৰ আগচোতালত আমাৰ ওচৰ চুবুৰীয়া এজনী সমনীয়া ছোৱালীৰে সৈতে উমলি আছিলো ; কোঢ়াল শুনি, কি হল বুলি ঘৰৰ ভিতৰলৈ লৰ মাৰি আহি দেখিলো যে আয়ে হিয়া-মূৰ ভুকুৱাই কান্দিছে, বোপায়ে বহি চকুৰ পানী টুকি থাকি থাকি 'মোৰ কি হ'ল ঐ।' বুলি একোবেলি মাতি উঠিছে। পেহী আৰু আমাৰ বুঢ়ী বেটীজনীয়ে দীঘলকৈ হাউচি জুৰি কান্দি গছৰ পাত সৰাইছে। তেওঁলোকৰ কি হল মই একোটো বুজিব নোৱাৰি, তেওঁলোকৰ লগতে কান্দিব ধৰিলো। ভালেমান বেলিৰ মূৰত কোঢ়াল কমি আহিলত পেহী আৰু বুঢ়ী বেটীজনীয়ে মোক ঘৰৰৰ ভিতৰলৈ মাতি লৈ গৈ মোৰ হাতৰ পৰা শখৰ খাৰু আৰু লোৰ খাৰু আৰু সোণৰ বালা সোলোকাই ললে আৰু কপালৰ সেন্দুৰ মচি দি কলে যে মই সেইবোৰ আৰু পিন্ধিব নেপাম, কাৰণ মোৰ স্বামী মৰিল। মোৰ স্বামী কি পদাৰ্থ তেতিয়া মই ভালকৈ একো নুবুজিলো। মাত্ৰ লোকে মোক ঠাট্টা আৰু ধেমালিকৈ কোৱা কথাৰ পৰা এইকেৱা বুজিব পাৰিছিলো যে, কিছুমান দিনৰ আগেয়ে মোৰে সৈতে যে লোকৰ লৰা এটাৰ বিয়া হৈছিল, যি বিয়া মোৰ ধেমালিৰ পুতলাৰ লৰা-[illegible]

বিয়াৰ নিচিনা বুলি মই সদায় ভাবিছিলো, সেই ল'ৰাটোকে ইইঁতে মোৰ স্বামী বোলে। মোৰ সেই কথাটো সমূলি ভাল নেলাগিছিল, আৰু লোকে সেই ল'ৰাটোক মোৰ স্বামী বুলি মোক জোকালে মোৰ খৰ খং উঠিছিল। মই ভাবিছিলো, মই পুতলাৰ দৰা-কন্যা পাতি বিয়া দিয়াদি আয়ে ধেমালিকৈ আমাৰ বিয়া পাতি বং কৰিছিল ; বিয়াও ভাগিল, ধেমালিও ভাগিল, গল কথা গুচিল ; সদায় সেই একেটা পুৰণি কথাকে লৈ মোক সকলোৱে জোকাই থাকে কিয় কব নোৱাৰোঁ। সেইহে মোৰ মনত সেই কথা অসহনীয় হৈ উঠিছিল'গৈ। সেই নিমিত্তে তেতিয়া পেহী আৰু বুঢ়ী বেটীৰ মুখে মোৰ স্বামী মৰি যোৱাৰ কথা শুনি মই পেটে পেটে সন্তোষ পালো ; ভাবিলো, আপদ গল ; আজিৰ পৰা আৰু কোনেও মোক তাৰ কথা কৈ জোকাই থাকিব নোৱাৰে ; আৰু মোৰ আই-বোপাইৰ লগ আৰু ঘৰ এৰি লোকৰ ঘৰলৈকো যাবলৈকো কোনেও কব নোৱাৰে। কিন্তু মোৰ হাতৰ পৰা তেওঁলোকে খাৰু কেইডাল কাঢ়ি নিয়াতহে মই নথৈ বেজাৰ পাই-ছিলো। মই পেহীক সুধিলো 'পেহী, খাৰু খাৰু কেইডাল নিছ নে কিন্তু কাইলৈ মোক পিন্ধিবলৈ দিব লাগিব।' পেহীয়ে চকুৰ পানী টুকি উত্তৰ দিলে, 'আৰু খাৰু পিন্ধিবলৈ নেপাৱ মইনা। তই বাঁৰী হলি। বাঁৰী মানুহে খাৰু পিন্ধিব নেপায়। মই জানো কেতিয়াবা খাৰু পিন্ধা দেখিছ ?' এই কথা শুনি মই ফেকুৰি ফেঁকুৰি খুব কান্দিলোঁ।

"মই আই-বোপাইৰ আলাসৰ লাডু আছিলোঁ। বোপাই ধনী মানুহ আৰু তেওঁৰ সন্তান-সন্ততিৰ ভিতৰত ময়েই। তুমি সহজেই অনুমান কৰিব পাৰা মই কেনে আদৰুৱা আছিলোঁ।

"মোৰ শহৰৰ ঘৰ আমাতকৈও চহকী। জোঁৱা-য়েকৰ শোকত মোৰ আই-বোপাই জুৰুলা হ'ল। পাঁচ বছৰৰ ভিতৰতে এজনৰ পিচত এজনকৈ দুয়ো ঢুকাল। মই নিঠৰুৱা হলোঁ। ধন-সম্পত্তি মাটি-বাৰী মোৰ একোৰে অভাৱ নাছিল ; কিন্তু মতা মানুহ অভিভাৱকৰ অভাৱত সেইবোৰ দেখিব-শুনিবলৈ কোনো নাইকিয়া হ'ল। কিছুদিনৰ আগেয়ে মোৰ শহৰেো মৃত্যু হৈছিল। শাহু মোৰ বিয়াৰ আগতেই ঢুকাইছিল। মোৰ জেঠালৰ বাহিৰে নিজৰ মানুহ বুলিবলৈ কোনো নাছিল। গতিকে মই তেওঁৰ ঘৰলৈকে উঠি আহিবলৈ থিৰ কৰিলোঁ। তেওঁ খৰ উৎসাহেৰে মোক আনিলে আৰু মোৰ ধন-বস্তু মাটি-বাৰীৰ দিহা পোহা কৰিবলৈ গাত ললে।

"তেতিয়া মোৰ বয়স ওঠৰ বছৰ, আৰু মোৰ মহাশত্ৰু পৰ্যৌৱনৰ মোৰ গাত মহা পৰ্যোভৱ। তুমি এতিয়া মোক দেখি নিশ্চয় অনুমান কৰিব পাৰিছা মই কেনে শুৱনী ছোৱালী আছিলো।

"মই আই-বোপাইৰ ঘৰত থাকোঁতে, মোৰ জেঠোত কেনেকুৱা মানুহ মই নেজানিছিলোঁ ; কিন্তু তেওঁৰ লগলৈ আহি দুই-চাৰি দিনৰ ভিতৰতে মই তেওঁৰ জঘন্য স্বভাৱ চৰিত্ৰৰ চিনাকি পালোঁ। কোনোবাই দোৰ্ধোৰ মদপী আৰু বেশ্যাসক্ত মানুহৰ আহি বিচা-ৰিলে মোৰ জেঠোতৰ কালে আঙুলিয়াই দিলেই যথেষ্ট হব। ঘৰত তেওঁৰ সতী লক্ষ্মীৰ নিচিনা ঘৈণীয়েকক তেওঁ ভৰিৰে ঠেলি পেলাই নটীৰ লৈতে খোৱা লোৱা কৰি পশুতকৈও অধইচ জীৱন কটাই-ছিল। বাৰীৰ খাঁহেৰে লৈতে গোহালিৰ গৰুৰ বাহি নহাদি ঘৈণীয়েকে লৈতে তেওঁৰ বাহি নাহিছিল। মই তেওঁৰ ঘৰলৈ আহিহে বুজিব পাৰিলোঁ যে কি এটা ভয়ানক ভুল কৰিলোঁ আৰু সেই ভুলেই কিজানি মোৰ ইহকাল পৰকাল দুইটাৰ সৰ্ব্বনাশ কৰিব। মনত এই কথা খেলালতে মই তেওঁৰ আশ্ৰয় এৰি আকৌ আমাৰ আগৰ ঘৰলৈ উভতি যাবলৈ সঙ্কল্প কৰি মোৰ জাৰ সেই কথা কলোঁ। মোৰ কথা শুনি জাৰ নিৰ্ম্মল মুখ কলা পৰি গল ; চকুৰ পানীৰে তেওঁৰ চকু চলচলীয়া হ'ল। কিছুমান পৰৰ মূৰত চকুৰ লো টুকি তেওঁ কলে, 'ভনীটী, জীৱনত বিধতাই মোৰ সুখ নেলেখিলে, নতুবা তুমিও মোক এৰি যাবলৈ ওলাবা কিয়। সবহ নহওঁ, তুমি মৰা-বাঁৰী মই জীয়া-বাঁৰী। স্বামী সুখৰ পৰা তুমি বঞ্চিত মইয়ো বঞ্চিত। তোমাক দুখ পাতি-য়াবলৈ পাই কন্তেকমান সুখৰ ছাঁ দেখিছিলোঁ ; গোসাঁয়ে তাক সহিব কেলৈ।'

"বাইদেউৰ চকুৰ লো আৰু হিয়াৰ তলিৰ পৰা ওলোৱা এই কেইষাৰ কথাই মোক সমূলি ঘটুৱালে ; আৰু মই বি থাকে কপালত ভাবি ভাৰপৰা গুচি যোৱা সঙ্কল্প পৰিত্যাগ কৰি তাতে থাকিলোঁ।

"লক্ষ মানুহৰ ভিতৰত এটা দুটাৰ মনেহে কেতিয়াবা-কাচিৎ অৱস্থা আৰু সময়ৰ লৈতে অযো-ময়কৈ লগা দীঘল যুঁজ যুঁজি শেহত জিকিব পাৰে। এনেস্থলত মোৰ নিচিনা নিঃসহায় দুৰ্ব্বল ছোৱালীয়ে কিছুকাল সেই দুৰ্দ্দান্ত দুই শত্ৰুৰে লৈতে যুঁজি শেহত হাৰ মনা আচৰিত কথা নহয়। কিছুমান দিনৰ মূৰত জেঠালৰ ঘৰত বাস কৰা সেই অপূৰ্ব্ব অৱস্থাৰ উভতাবিলাক মৰি মোৰ পক্ষে পি মিছি হৈ পৰিল। তেওঁৰ অদ্ভুত অসহনীয় স্বভাৱ চৰিত্ৰৰ উৎপাতবোৰ

মোৰ চকু কাণে সহিবলৈ শিকিলে ; আৰু তাৰো কিছুমান দিনৰ মূৰত তাত দোষ বা পাপৰ হুল মোৰ চকুৰে একেবাৰেই নমনা হ'ল।

"এইখিনিতে কোৱা আৱশ্যক যে মই মোৰ জেঠোতৰ ঘৰলৈ যাবৰ দিনাৰে পৰা তেওঁৰ পপীয়া চকু মোৰ ওপৰত পৰিছিল ; আৰু তেওঁৰ নানা বিধ গচ্-গতিত সেই কথা ফুটি ওলাইছিল। মই মোৰ বিষম বিপদ বুজিও, ঈশ্বৰৰ চৰণত একান্ত নির্ভৰ কৰি জাৰ মৰমৰ মায়া-জৰিডাল ছিঙিব নোৱাৰি তাতে আছিলোঁ। দিনকদিনে মোৰ ৰবজনাই মোক জালত পেলাবলৈ নানা চক্ৰান্ত কৰিবলৈ ধৰিলে। শেহত অজগৰ সাপৰ আকৰ্ষণত নিৰুপায় হৰিণী তাৰ মুখৰ ভিতৰত সোমোৱাদি গৈ মই পাপ-অজগৰৰ মুখত সোমালোঁ। মোৰ সৰ্ব্বনাশ ঘটিল। কলঙ্কৰ পাচি মই মূৰত তুলি ললোঁ।

"এই বাগিচাৰ সেইটো ঘৰতে মই মোৰ পপীয়া জীৱন পাষণ্ড জেঠোতৰ সৈতে আমোদ প্ৰমোদত কটাইছিলোঁ। মোৰ জাই তেওঁৰ স্বামীৰ সৈতে মোৰ জঘন্য ব্যৱহাৰ লক্ষ্য কৰি হতাশ হৈ এদিন যি কেইষাৰ কথা কৈছিল, সেই কেইষাৰ কথা আজিলৈকে মোৰ মনত আছে। জেঠোতে তেওঁৰ ঘৰৰ পৰা মোক উলিয়াই লৈ এই বাগিচাৰ ঘৰলৈ আহিবলৈ ওলাইছে, এনেতে জাই চুলি মেলি বলিয়াৰ দৰে হৈ কৰবাৰ পৰা নৰি আহি দুহাতে বুকু চপৰিয়াই মোৰ ফালে চাই কলে : 'নলিনী! শেহত তয়ো এনেটো কাম কৰিলি! চুকতে থাকি তই মোৰ ভাল বুকুত কামোৰ মাৰিলি!' পাপ ফটিকাৰ ৰাগীত মতলীয়া হৈ তেতিয়া জাৰ সেই হিয়া ভাগি ওলোৱা কথাৰ উত্তৰত মই মাথোন হো-হো কৰে হাঁহিলোঁ। পিশাচৰ হাঁহিৰ নিচিনা মোৰ সেই হাঁহি শুনি জাই আকৌ ইয়াকে মাথোন কলে, 'আইৰ ঘৰলৈ যাম ; দুই হাতে খাম ; বিধাতাই বোলে মই পাচে পাচে যাম। তই যা, যা, যা, ময়ো কাল হৈ তোৰ পাচে পাচে যাব লাগিছোঁ।' সঁচাকৈ কব লাগিলে, জাৰ সেই কথা কেইষাৰ মোৰ অন্তৰত শেল সোমোৱাদি সোমাইছিল ; কিন্তু সেই সন্তাপ সেই ধিক্কাৰ ততালিকে উৰি গল ; কাৰণ তেতিয়া মই পাপ-পুখুৰীত ডিঙিলৈকে তল যোৱা। তাৰ পৰা মোৰ উঠিবৰ শকতি নাই।

"দুখুনী জাৰ মৰ্ম্মভেদী কথা অচিৰতে মোৰ প্ৰাণ ফলিয়ালে। ছমাহ যাওঁতে নৌ যাওঁতেই মোৰ পাপৰ পৰাচিত্ত ঘটিল। মই গৰ্ভৱতী হলোঁ। পাপিষ্ঠ জেঠাল যদিও পশুতকৈও অধম, তথাপি হিন্দু-সমাজৰ ভিতৰত তেওঁ এজন কবুৰীয়া আছিল। দুৰ্ব্বল হিন্দু সমাজে, ধনৰ বলেৰে বলী তেওঁক এৰিবলৈ সাহ গোটাব পৰা নাছিল ; বৰং সেই সমাজে তুবি মুবি কৰিব নোৱাৰাকৈ তেওঁহে ধনৰ সোপাৰে সমাজৰ মুখত সোপা দি থৈছিল। কিন্তু এইবাৰ তেওঁৰ ভয় হ'ল। তেওঁ ভাবিলে এগ্ৰ গৰু মাৰিলে বামবো মৃত্যু বুলি কয়। কিজানি ইমানটো ডাঙৰ কলঙ্ক এইবাৰ তেওঁ চম্ভালিব নোৱাৰেই। সেইদেখি তেওঁ মোৰ গৰ্ভ নষ্ট কৰিবলৈকে মনতে সঙ্কল্প কৰি সেই কাৰ্য্যৰ অৰ্থে খুব চেষ্টা কৰিবলৈ ধৰিলে। কিন্তু তেওঁৰ সকলো চেষ্টা বিফল হ'ল। বীৰ পুৰুষে শেহত কি কৰিলে কওঁ শুনা।

"এদিন ৰাতি মোৰ টোপনিত পাষণ্ডই মোৰ টেটুটো চেপা মাৰি ধৰি মোক বধ কৰিলে। পাপিষ্ঠৰ এটা পৰম বিশ্বাসী পামৰ লগুৱা বা লগৰীয়া আছিল। তাৰে সৈতে লগ লাগি মোৰ ডিঙিত এটা ডাঙৰ শিল জৰীৰে বান্ধি দি সেই ৰাতিয়েই মোক এই পুখুৰীত পেলাই দি পাপিষ্ঠই কলঙ্কৰ হাতৰ পৰা উদ্ধাৰ হল। পাপীৰ হাতত মোৰ প্ৰাণ যোৱাৰ দিনাৰে পৰা আজিলৈকে মই এই পুখুৰীতে পৰি আছিলোঁ। বেচ আছিলোঁ, শান্তিত আছিলোঁ ; এই স্বাৰ্থপৰ দুখৰ সংসাৰত জোন বেলি তৰা, বিশেষকৈ পুৰুষৰ মুখ মোৰ চকুত নপৰাকৈ আছিল। আহা কি শান্তি! কি আৰাম! তুমি কিহৰ বাবে, কি আখেজত আজি মোক জালোৱাৰ হতুৱাই আজোৰাই লাটিঘাটি কৰি মোৰ শান্তি ভঙ্গ কৰি এইদৰে পাৰত পেলাই দিয়ালা? মোৰ সৈতে তোমাৰ শত্ৰুতা কোনোকালে নাছিল। তোমালোক মতা মানুহে তিৰোতা মানুহৰ ওপৰত দৌৰাত্ম্য কৰিবলৈ আৰু নেৰা নে? চিৰকাল আমাৰ ওপৰত তোমালোকে জুলুম কৰিয়েই থাকিবানে?

"হৰি হৰি। তিৰুতাৰ জীৱন দুখৰ জীৱন। তাক আৰু দুৰ্ভগীয়া কৰিবলৈ মতা সদায় সাজু। বিয়া কাক বোলে তাক জনাৰ আগেয়েই, আৰু স্বামী কাক বোলে তাক চকুৰে দেখাৰ আগেয়েই অৰ্থাৎ প্ৰকৃতপক্ষে স্বামীক পোৱাৰ আগেয়েই মই স্বামী হেৰুৱালোঁ, বিধবা হলোঁ। তোমালোক পুৰুষৰ কেনে যুক্তি! কেনে ন্যায়! তোমালোক আপোনপেটীয়া স্বাৰ্থপৰ জাতি। তিৰুতাৰ আগত যৰ-মতা বোলোৱা তোমালোকৰ স্বভাৱ। সত্য ত্ৰেতা দ্বাপৰ যুগৰ 'বাতিল' ব্যৱস্থা শাস্ত্ৰবিলাক তোমালোকৰ আজিকালিৰ আইন ; শ্ৰীৰামপুৰৰ 'নতুন পঞ্জিকা'ৰ দৰে সি কেতিয়াও কোনো কালে পুৰণি হব নেজানে। আৰু আইন কৰোঁতাসকল

অৱশ্যে পুৰুষ মানুহেই। সত্য ত্ৰেতা দ্বাপৰৰ ৰজা গল, ৰাজত্ব গল, বৈদিক পৌৰাণিক কত কি ধৰ্ম্ম গল, আচাৰ গল, ব্যৱহাৰ গল, আন কি, বগা আৰ্য্যবোৰৰ গাৰ বৰণ সলনি হৈ তেওঁলোক ক'লা হলগৈ; কিন্তু সেইবোৰ যুগৰ সমাজৰ মানুহে চলিবলৈ কৰা আইনৰ সলনি নাই। সি মোট নগলোৱাকৈ তেনেই জীয়াই আছে। আৰু বেলি পানী হৈ সৌ চাপৰিটো তল গৈছিল, এইবেলি সি শুকাই টকলানি হৈ আছে। তুমি তাতে জোবোৰা এটা মাৰি গাটো ধুই নাহাগৈ কিয়? তোমালোকৰ ন্যায়মতে স্মৃতি শাস্ত্ৰমতে বিচাৰ কৰি চালে তুমি দেখিবা যে তাত এতিয়াও পানী আছে, তুমি মনুৰ মতে এতিয়াও তাত জোবোৰা মাৰি আহিব পাৰাগৈ। কিবা বোলেনে, 'ওলোটা বুজিলি ৰাম'— তোমালোক মতা মানুহ। পুৰুষে পুৰুষে ওলোটা বুজিছে তোমালোকে সকলোকে হেৰুৱাই এই নীহ অৱস্থা পাইছাহি। তোমালোকৰ লক্ষণ ধ্বংসৰ কালে, তেহেলৈ তোমালোকে যিহকে-কোৱা। তোমালোকৰ ভিতৰৰ কোনোবা কাচিৎ এজন দুজনে তোমালোকৰ অন্যায় ব্যৱহাৰ দেখুৱাই তিৰুতাৰ প্ৰতি ভদ্ৰ আৰু ন্যায় ব্যৱহাৰ কৰিবলৈ তোমালোকক যদি কয়, তেন্তে তোমালোকে কঁকালত টঙালি বান্ধি উঠি বক্তাজনক কিলাবলৈ যোৱা আৰু নানা অত্যাচাৰ উৎপাত তেওঁৰ ওপৰত কৰা। বিদ্যাসাগৰে আমাৰ হৈ আযাবচেৰেক কথা কোৱাৰ বাবে তেওঁক তোমালোকে নকৰিবৰ চকৰি কৰিলা। গালি শপনি নিন্দাৰে তেওঁক তোমালোকে পুতি শেহত এৰৰীয়া কৰি এৰিলা। ন্যায় আৰু ধৰ্ম্মৰ ব্যৱহাৰ তোমালোকৰ পৰাতো আমি পাব নোৱাৰোঁৱেই, তোমালোকে যি স্মৃতিশাস্ত্ৰ মানো বুলি কোৱা, সেই শাস্ত্ৰই বিহাৰ দৰেও কিন্তু তোমালোকে আমাৰ প্ৰতি ব্যৱহাৰ কৰিবলৈ অমান্তি হোৱা। ধইন তোমালোক। বিদ্যাসাগৰে শাস্ত্ৰ সাগৰ মথি তাৰ পৰা বিধৱাৰ বিয়াৰ ব্যৱস্থা উলিয়াই তোমালোকৰ আগত ধৰিলে। তোমালোকে নানা তৰ্কজাল পাতি সেই ব্যৱস্থা টিলিকি মাৰি উৰাই দিবলৈ চেষ্টা কৰি, নোৱাৰি শেহত তেওঁক গালি পাৰি ৰণ জিকিলা। তোমালোকৰ গুণৰ কথা তিন দিন তিন ৰাতি কৈ থাকিলেও ওৰ নপৰে। আমি এবাৰ স্বামী হেৰুৱাই তোমালোক পুৰুষৰ ব্যৱস্থা মতে দুনাই বিয়া কৰাব নোৱাৰোঁ; কিন্তু তোমালোকলৈ হলে সেই বাট একেবাৰেই মুকলি ৰাজআলি। ঘৈণীয়েক মৰি থাকক বৰ্ত্তমান হয়, তোমালোকে যিমান মন যায় বিয়া কৰি থাকিবা; তালৈ শাস্ত্ৰই হাতত ছাতি ধৰি তোমালোকক আদৰি লগে লগে লৈ যাব। ছিঃ এনেখন শাস্ত্ৰ তোমালোকৰ? এনেকুৱা তোমালোক। এনেকুৱা এইখন সংসাৰ। এইখন সংসাৰৰ সবাকী

কোন? আপোনপেটীয়া মতা কেইটাৰ বাহিৰে ইয়াৰ আন কোনোবা সবাকী আছে যেন মনে নধৰে।"

এইখিনিতে মই মাত লগালোঁ, "শুনিছানে বোলোঁ, জানি শুনি আজি আমি তোমাৰ শান্তিভঙ্গ কৰা নাই। নজনাতহে এই কাণ্ড ঘটিছে। এতিয়া কি কৰিলে আমাৰ গাৰ পৰা দায় যাব আৰু তোমাৰো আকৌ শান্তি স্থাপন হব কোৱা, মই নিশ্চয় তাকে কৰিম।"

তিৰুতাজনীয়ে উত্তৰ দিলে, "আকৌ মোক এই পুখুৰীৰ পানীত পেলাই দিয়া। তেনেহলে মই আকৌ আগৰ ঠাইতে আগৰ দৰে নিশ্চিন্ত হৈ শুই থাকিম। আৰু নুমুৱা অগনি নজ্বলে।" মই কলোঁ, "দিম পেলাই; কিন্তু এটা কথা;—তোমাক মই যেনে দেখিছোঁ এই অৱস্থাত তোমাক পুখুৰীত পেলাই দিলে মোক নৰহত্যা অপৰাধত পুলিচে ধৰি লৈ যাব আৰু মোৰ ফাঁচী হব।" মোৰ এই কথা শুনি মানুহজনীয়ে পিশাচৰ দৰে ইমান হাঁহিলে যে শেহত তাই মাটিত বাগৰি পৰিও তাইৰ হাঁহিৰ ওৰ নপৰা হল। তাইৰ সেই বিকট হাঁহিত মোৰ বুকু কঁপিবলৈ ধৰিলে। তাই হাঁহি হাঁহি বাগৰি গৈ গৈ শেহত পুখুৰীৰ পাৰৰ সিফালৰ খাৱৈত পৰিল। মই চকিদাৰ চকিদাৰ বুলি মাতিলত, বাগিচাৰ চৌকিদাৰ লৰি আহিল। মই তাক কলোঁ, "সেয়া দেখিছ নে?" সি সুধিলে, "কি দেউতা?" মই উত্তৰ দিলোঁ, "সেইজনী তিৰুতা মানুহ মতলীয়াই নে কি মই কব নোৱাৰোঁ, বাগৰি গৈ খাৱৈত পৰিছে।" চকিদাৰে তথা লাগি অপলমান বৈ কলে, "কতা দেউতা! মই দেখোন একো দেখিবলৈ পোৱা নাই; দেউতাই কিজানি কিবা সমাজিক দেখিছিল হবলা। উঠক দেউতা, ইয়াৰ পৰা বলক, ভিতৰত শোৱকগৈ; এই বাগিচাত দেও আছে, বাহিৰত শোৱা ভাল নহয়।"

মই "বাৰু বল যাওঁ" বুলি কৈ তাক কলোঁ, "দেখ যোৱাৰ আগেয়ে তই চাচোঁন বাৰু খালটোত কি আছে।" সি মোৰ কথা মতে চাই কলে, "অ' এইটো আজি ৰাতিপুৱা জালত উঠা সেই লাওখোলাটো। ইয়াক দূৰৈত পেলাই দিব লাগিছিল, ইয়াতে কোনে পেলাইছিল কব নোৱাৰোঁ।" এই বুলি সি জেওৰা এচলা আনি তাৰ আগেৰে সেই লাওখোলাটো দূৰলৈ মাৰি পঠিয়াব খোজোঁতেই মই "ৰবি ৰবি" বুলি তাক হাক দি কলোঁ, "পুখুৰীৰ বস্তু আকৌ তাক পুখুৰীতে পেলাই দে। সি আগেয়ে যত আছিল তত্তে থাওক।" চকিদাৰে সেই কথাত অমত প্ৰকাশ কৰিব খোজোঁতেই মই আকৌ কলোঁ

"নহয় তই জনা নাই, বাগিচাৰ ওচৰত পৰি থকা তাক পুলিচে দেখিলে নানা সন্দেহ কৰি আমাক দিগদাৰি কৰিবৰ সম্ভৱ ; সেইদেখিহে মই কৈছোঁ যে তাক পুখুৰীতে পেলাই দিয়াইহে ভাল।" পুলিচৰ নাম শুনি চকিদাৰে ভয় খাই আৰু একো নকৈ সেই লাওখোলাটো আকৌ পুখুৰীত পেলাই দিলে। মই তাৰপৰা উঠি আহি ভিতৰত শুবৰ চেষ্টা কৰিলোঁ, কিন্তু আৰু টোপনি নাহিল, কেতিয়া ৰাতি পুৱায় কেতিয়া ৰাতি পুৱায় ভাবি বাট চাই থাকোঁতে ৰাতি পুৱাল। "মোৰ ঘৰ সকাম এটা আছে" বুলি নিৰ্ম্মল বাবুক কৈ তেওঁলোকৰ আগেই মই সেই বাগিচাৰ পৰা গুচি আহিলোঁ।

মলক গুইন্-গুইন্

"হেয় আও! তোম কোন হ্যাঁয়? দৰবাজাকা চামনে কাহে খাৰা হ্যাঁয়?" কঁকালত পিতলৰ ছাপৰাচ আৰু মূৰত ৰঙা কলাৰে সানমিহলি কাপ্ কাপ্ পাগুৰী পিন্ধা হিন্দুস্থানী ছাপৰাচী এটাই, মুগাৰ ৰবচুৰিনা আৰু এৰিয়াৰ মিৰ্জাই চোলা পিন্ধা গাত খনীয়া কাপোৰ আৰু হাতত বাঁহৰ লাখুটি লোৱা, গুদা ভৰি, ওঠত তামোলৰ ৰাং, মুখত তামোলৰ মোকোৰাৰে আদহীয়া বয়সৰ চহা মানুহ এজনক এইদৰে কেৰ্কেৰীয়া মাতেৰে এদিন পুৱা ৯ মান বজাত সম্বোধন কৰিছে। ছাপৰাচীৰ প্ৰশ্ন শুনি মানুহজনে উত্তৰ দিলে, "মই মোৰ পো মলখু বোপাক চাবলৈ আহিছোঁ। ঘতৰা কৈ দিয়াঁ ছাপলাঠি ককাই, মই আহিছোঁ বুলি।"

ছাপৰাচী।—"তোমাৰা কোই মলখু পৌ হিয়া নাহি হ্যাঁয়। এইথু গুঁই গুঁই চাহাবকা মোকান হ্যাঁয়। হিয়াছে ভাগ্ যাও। নাহিতো চাহাব বাহাৰনে আয়কে তোমকু হিঁয়া দেখনেচে হমাৰা উপৰ বহুত গোচা কৰেগা।"

মানুহজন।—"নহয় ছাপলাঠি ককাই, মোৰ নিজৰ লেৰেকা মলখু বাবুৰ ঘৰ মই জানো। তুমি নতুন মানুহ হৰলা, সেই দেখি মোক চিনি পোৱা নাই। তুমি ভিতৰলৈ গৈ মোৰ কথা মোৰ ল'ৰাৰ আগত কোৱাগৈ, সি এতিয়াই ওলাই আহিব।"

ছাপৰাচী।—"বুঢ়াথু পাগলা হ্যাঁয় না ক্যা কুচ মালুম নাহি হ্যাঁয়। ইচকা মলখু বাবু লেৰকাকু হিয়া চাহাবকা কুঠিমে আচ কৰনে আয়া। যাও, ভাগ হিয়াঁচে। হিয়াঁ তোমৰা মলখু-উলখু কোই নাহি হ্যাঁয়। মগৰ, বাত নাহি শুনেগা জো তোমকু গৰ্দ্দান পাকৰকে হিয়াঁছে নিকাল দেগা।"

কথাষাৰ শুনি মানুহজন খঙত থৰ্‌থৰ্ কৰে কঁপিবলৈ ধৰিলে। কন্তেক টভক মাৰি থাকি তেওঁ মাত লগালে, "কি কলি কটা কুকুৰ-খুলি ছাপলাঠি? তোমাৰ ইমানটো সাহ নে? তই মোৰ গলধনটোত্ত ধৰি উলিয়াই দিবি? মোৰ নাম তোলন সাজতোলা বুলি কটা ভু পাব নে নাই? তোৰ চাহাবৰ মই বাপেক বুলি তই বঙালে জান নে নাই? কটা, তোৰে ইমানটো কেৰামত? এতিয়াই মোৰ ল'ৰাক কৈ দি তোৰ দাঁত আটাইকেইটা ভঙাম বুলি জানিছ নে বোলোঁ?"

এই কথাৰো অন্ত পৰিল, আৰু তোলন সাজতোলা আৰু ছাপৰাচীৰ মাজত জোটাপুটি লাগি পৰিল। ডাটি-গোঁফ খুকমা মুখ, পাহ-কটা চুলি, উধনিয়া খোপা আৰু ফটুৱাই ফটা ভৰিৰে আঢ়ৈ কুৰি বছৰীয়া গাঁৱলীয়া মানুহ এজনে হিন্দুস্থানী ছাপৰাচীটোৰ সৈতে জোটা-পুটি লগাই বাহিৰত হাই-উৰুমি কৰিছে শুনি মিষ্টাৰ মলক গুইন্ গুইন্ চাহাব, "কোন হাল্লা কৰতা?" বুলি হুকি মাৰি দি ভিতৰৰ পৰা "শ্লিপিং চুট" আৰু "শ্লিপাৰ" অৰ্থাৎ ৰাতি শুবলৈ যাওঁতে পিন্ধা ঢিলা চোলা আৰু ঠেঙা, আৰু ভৰিত চটি জোতাৰেই বাহিৰলৈ ওলাই আহিল। জোটাপুটি লগা শালিকাই কোনো মানুহ সিহঁতৰ কাষ চাপি গলে ততালিকে জোটাপুটি ভাঙি আঁতৰা-আঁতৰি হৈ ঢেক্‌ঢেকোৱাদি অহা দেখিয়েই চাপৰাচী আৰু তোলন দুয়ো জোটা-পুটি ভাঙি দুয়ো দুইকো এৰি আঁতৰ হৈ ফোঁপাই-ফোঁপাই একেবেলিয়েই দুয়ো দুয়োৰো নামে চাহাবৰ আগত গোচৰ দিবলৈ ধৰিলে।

ছাপৰাচী।—"দেখিয়ে হজুৰ। এইথু বুঢ়া পাগলা না চোৰ কুচ ঠিকনা নাহি, কাঁহাচে আয়কে হিয়া হাল্লা কৰণে লাগা। আউৰ হামকু বলতা—উচকা কোই মলখু বেটাকা স্যাৎ মুলাকাত কৰাই দেনেকু। হম ভালা কৰকে ইছকু চমজাইকে দিয়া যে এইথু চাহাবকা কুঠি, হিঁয়া উছকা মলখু লেৰকা কোই নাহি হ্যাঁয়; লেকিন বুঢ়াথু হামকু গালি দেনে লাগা।"

তোলন।—"হেৰ চাচোন বোপাই মলখু। তোৰ ছাপলাঠি নে টেকেলা কি এইটোৱে মোক গালি পাৰি টানি আজুৰি নগুৰ্ণাগতি কৰি কি অপমান বিলাক কৰিব লাগিছে। কুকুৰৰ সাহটো চাছোন, সি হেনো মোৰ গলধনটোত ধৰি মোক পত্তিয়াই ইয়াৰ পৰা উলিয়াই দিয়ে।"

তোলন সাজতোলাই এই কথা গুইন্ গুইন্ চাহাবৰ আগত কৈ চকুৰ পানী টুকিবলৈ ধৰিলে। চাহাবে সাজতোলাৰ কালে চাই গম্ভীৰভাৱে ক'লে,

"তুমি কৰ পৰা আহিছে ? কোন আছে ? মই তোমাক চিনি নাপাওঁ। ইয়াৰ পৰা এতিয়াই তুমি গুচি যাব লাগে।" এই বুলি চাহাবে সাজতোলাৰ ফালে পিঠি দি ছাপৰবাচীৰ ফালে মুখ কৰি আকৌ কলে,—"ছাপৰবাচী, এই বুঢ়াক হিয়াছে বাহাৰ যানে বলা। লেকিন গালি দেও মৎ, মাৰ মৎ, হাল্লা কৰ মৎ।"

এই কেষাৰ কথাবো অন্ত পৰিল, মলক্ গুইন্-গুইন্ চাহাবে চট্ চট্ কৰে চটি জোতাৰে নিজৰ ভৰিৰ তলুৱাও কোবাই ঘৰৰ ভিতৰ সোমাই অন্তৰ্দ্ধান হল। পুতেকৰ ব্যৱহাৰ দেখি বুঢ়া তোলন তোলা চৰগ পৰা মানুহ যেন হৈ থৰ লাগি অলপ পৰ থাকি, "হেৰ মলখু, তই মৌক চিনিকে নোপোৱা হলিনে ?" বুলি কওঁতেই, ছাপৰবাচীয়ে তেওঁৰ হাতত ধৰি টানি লৈ গৈ তেওঁক বাজআলি পোৱালে গৈ। বুঢ়া মৰ্ম্মান্তিক হৈ, "হে পৃথিবী মাতৃ! তুমি দুফাল হোৱাঁ, মই তোমাৰ গৰ্ভত সোমাওঁ" বুলি কৈ এটা দীঘল হুমুনিয়াহ কাঢ়ি,-যি বাটেদি আহিছিল সেই বাটেদিয়েই তাৰপৰা গুচি গল।

এইখিনিতে এই বুঢ়াৰ চিনাকিটো দিয়া যাওক আৰু মলক চাহাবৰ আখ্যানবো যৎকিঞ্চিৎ আভাস দিয়া যাওক। এওঁ চোটিয়া গাৱঁৰ তোলন সাজ-তোলা। চোটিয়া গাৱঁত তোলন এজন গণ্যমান্য মানুহ। দিহিঙৰ গোঁসায়ে তেওঁক সাজতোলা পাতি সন্মানিত কৰিছে। গাৱঁৰ ল'ৰা, ডেকা, বুঢ়া সকলোৱেই তেওঁৰ হাকবচন শুনে আৰু তেওঁক মানি চলে। সাজতোলা দুটা ল'ৰাৰ বাপেক ; এটাৰ নাম মলখু আৰু আনটোৰ নাম পুণাৰাম। সাজতোলাই পুণাইক খেতি-বাতি কৰিবলৈ শিকাই তেওঁৰ লগতে ৰাখিছিল, আৰু বৰটো লৰা মলখুক লখীমপুৰ জিলাত দেউনাথ খাজাঞ্চিৰ ঘৰত লাচনি-পাচনি বন-বাবি কৰি আৰু লগে লগে লেখা-পঢ়া শিকাবলৈ থৈছিল। মলখুৰ বুধিটো সকৰে পৰা জোঙা আছিল গুণে, সি বন-বাবিৰ অন্তত যি কেৰা আহৰি পাইছিল সেই কেৰা কালত তাক লেখা-পঢ়াত লগাই দি বিদ্যাৰ বাটত ভৰ্-ভৰ্ কৰে সোমাই বাবলৈ ধৰিলে। মাহেকে পষেকে বাপেক জিলালৈ আহি মলখুক ঘৰলৈ লৈ গৈছিল, আৰু ঘৰত তাক দুদিন চাইদিন ৰাখি আকৌ জিলাত থৈ গৈছিলহি। কালক্ৰমত মলখু এণ্ট্ৰেঞ্চ পৰীক্ষাত উঠিল আৰু অসমীয়া ছাত্ৰৰ নিমিত্তে চৰ্কাৰৰ ঘৰৰ পৰা দিহা কৰা জলপানী পাই কলিকতাত এল্-এ পঢ়িবলৈ আহিল। খাজাঞ্চীৰ ঘৰত থকা শেহ ভোখৰ কালতে মলখুৰ খোপা ক্ৰমশ: টুটি গৈ টিকনিত পৰিছিল, কলিকতা পায়েই সি একেবাৰেই অন্তৰ্দ্ধান হল। নালুকীৰ নেজ সৰিলে সি ভেকুলী হৈ জপিয়াৰ।

আমাৰ মলখুৰো ওলোটা ফালৰ নেজ অৰ্থাৎ টিকনি সৰি কলিকতা চহৰৰ আলিত তেওঁ জপিয়াই "কলৈ যাওঁ গোপাল, কলৈ যাওঁ কৃপাল" লগালে। এফালে টিটিলে আনফালে বাঢ়ে। এই নিয়ম মতে মলখু টিকনিত টুটিল হয়, কিন্তু উপাধিত বাঢ়িল। খোলা-খুলিকৈ কবলৈ গলে, কলিকতাৰ কলেজৰ হাজিৰা বহিত আৰু চিঠি-পত্ৰ আদি আন কাকত পত্ৰতো তেওঁৰ নাম পিচত গগৈ উপাধি গজিল। ইংৰাজ পণ্ডিতে বোলা "ল অৱ ইভলিউচন" যাক ৰঙালী পণ্ডিতে বিৱৰ্ত্তনবাদ বুলি তৰ্জমা কৰিছে, সেই নিয়ম মতে, কলিকতাৰ বালাম নামৰ চাউল, ৰসগোল্লা সন্দেশ নামৰ মিঠাই আৰু লুচি-কচুৰি নামৰ পিঠাৰ সহায়ত, মাহ-চেৰেকৰ পিচত শ্ৰীমান মলখু গগৈ মিষ্টৰ এম্ গগৈ হৈ পৰিল। দুবছৰৰ পিচত, ওভোতা-কোলৰ নিচিনা বুধিৰ মলখুৱে এল্-এ পৰী-ক্ষাটো কোনো মতে খুচি ধৰিলে আৰু কলিকতা গেজেটত তৃতীয় বিভাগত তেওঁৰ নামটো তৃতীয়াৰ চন্দ্ৰৰ দৰে উদয় হ'ল। বি, এ, পৰীক্ষাটোকো তেওঁ সেইদৰে কাবু কৰিবৰ মতলবেৰে "চেণ্ট্ জেভি-য়ৰ্চ" কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীত ভৰ্ত্তি হল। কাতি মাহৰ পহিলা তাৰিখটো মনত ৰাখিবলগীয়া দিন। আমাৰ নহলেও মিষ্টাৰ এম্ গগৈৰ ; কাৰণ সেইদিনা গধূলি পাঁচ বজাত মিষ্টাৰ এম্ গগৈয়ে দেশী চুৰিয়া চোলা চেলেঙক কুটা চিঙি এৰি হেট কোট পেণ্টলুন পিন্ধি চাহাব হৈ ডাক্তৰ চৰ্কাৰৰ "চায়েঞ্চ এছ্'চিবেছনৰ" বক্তৃতা শুনিবলৈ গৈছিল। আঘোণৰ শেহ পষটোকো কাতিৰ পহিলা তাৰিখৰ শালপতিয়েক বুলিলে হয় ; কিয়নো, সেই পষতে তেওঁৰ নামেও তেওঁৰ সাজৰ পাচ ধৰি, পুৰণি লেটাটো কুটাই তাৰ ভিতৰৰ পৰা পোক গুচি পখিলা হৈ ওলাল। অৰ্থাৎ মিষ্টৰ এম্ গগৈ মলক্ গুইন্-গুইন্ (Mullock Gwyn-Gwyn) হল। কেৰেলু-ৱাটো গৈ থাকোঁতে তাক কোনোবাই ছুই দিলে যেনেকৈ সি থৰকি গোটবান্ধি ঘূৰণীয়া হয়, সেইদৰেই আমাৰ মলখু চাহাব পঢ়া-শুনাৰ বাটত বাটবুলি থাকোঁতেই চাহাবী সাজ 'খানা' আৰু নামে তেওঁক ছুই দি থমকাই দিলে, আৰু তেওঁ হেট কোট পইলুণ্ডে সৈতে গোটবান্ধি ঘূৰণীয়া হল। অধিক কি, মলক্ গুইন্ গুইন্ চাহাব বি,এ পৰীক্ষাৰ ঘূৰণীয়া মেৰটোত সোমাই গৈ ঘূৰি ঘূৰি আকৌ আগৰ ঠাইতে ওলাবলৈ ধৰিলে, কোনোমতে অলপো আগবাঢ়িব নোৱাৰাত পৰিল ; অৰ্থাৎ পোনাই কবলৈ গলে, তেওঁ 'ফেল' হল। ইফালে চৰকাৰৰ ঘৰৰ পৰা পোৱা জলপানীবো ওৰ পৰিল আৰু তেওঁৰ কাপোৰ-কানিও কলা হল। অগত্যা তেওঁ কৰে কি, ঘৰলৈকে উভতি যাবলৈ থিৰ কৰিলে। দুখৰ কথা কি কবা, গুইন্ গুইন্ চাহাবে বজাৰত প্ৰস্তুত চাহাবী কোটেৰে চকা

বহল পিঠিখন "চিভিলাইজেচনৰ খোটলত" অৰ্থাৎ সভ্যতাৰ ৰণত দেখুৱাই ঘৰমুৱা হৈ অসভ্য অসম দেশলৈ অগত্যা যাবলগীয়াত পৰিল। অদৃষ্টই কলিকতাৰ সাকৰা মাটিৰ পৰা তুলি নি অসমৰ কটুৰ মাটিত মলক চাহাবক ৰুই দিয়া বাবে তেওঁ চক্ খাই কিছুমান দিন গজালি পোখা একো নেমেলাকৈ আছিল; কিন্তু শেহত দয়াময় হাকিম পাৰ্টিগ্ৰিচ চাহাবৰ দয়াত তেওঁ স্কুলৰ চব ইন্সপেক্টৰৰ বিষয়খন পালে। টেঙৰ কলা মলক চাহাবৰ এটা গুণ আছিল; তেওঁ বগা চাহাবসকলৰ ভৰিত ভালকৈ তেল টেঙা ঘঁহিব জানিছিল; গতিকে তেওঁ অলপ দিনৰ ভিতৰতে চব-ইন্সপেক্টৰৰ মোটচো সলাই তাঁচিলদাৰৰ মোটচোত সোমাবলৈ পালে।

এইখিনিতে কোৱা আৱশ্যক যে পো তুলি-তালি ডাঙৰ দীঘল কৰি তাৰ ঘটন্-পিটন্ খাম বুলি বাট চাই থকা বাপেক তোলন সাজতোলা আৰু মাক সাজতোলানী আশাত নখে নিৰাশ হল। মলক চাহাবে অসমলৈ উভতি যোৱাৰ দিনৰে পৰা, তেওঁলোকক আন কোনো প্ৰকাৰ সহায় কৰা দূৰৈত থাওক, এদিনো দৰ্শন দিবলৈকে নগল। মাকে পুতেকক মতাই ঘূৰি নোযোৱা দেখি শেহত সাজতোলা আৰু পুণাইক পঠিয়াই দি কৈ পঠিয়ালে যে "মোৰ গা বৰ বেয়া। সৰহ দিন আৰু মই নিজীওঁ। এইবাৰ যদি সি নাহে, তেন্তে মই এতিয়াই মৰিলোঁ বুলি সি এৰিব।" কিন্তু "বামুণেই মৰক বা লণ্ডণেই ছিগক" অৰ্থাৎ মাকেই মৰক বা এই পৃথিৱীয়েই ওলটক, মিষ্টৰ গুইন্ গুইন্ "ন নৰন্তি ন চৰন্তি।" সাজতোলা নিৰুপায় হৈ শেহত চাহাবৰ এজন কলিকতীয়া বন্ধুৰ কাষলৈ গৈ "ন'ৰাটোক" বুজাই-বৰাই কোনোমতে তেওঁলোকৰ লগত ঘৰলৈ পঠিয়াই দিবলৈ খাটিলে। বন্ধুৰ বুজনত চাহাব অলপ কুমলিল। চাহাবে বাপেকক কলে, "অল ৰাইট্ মই যাম; 'বট্' কিন্তু ৰাজআলিৰ পৰা ঘৰলৈ যাবলৈ পথাৰৰ মাজেদি যিটো আলি আছে, সেইটো বৰ নেৰ',—অলপ বহল কৰিব লাগিব, নতুবা মই সেই ঠেক আলিত বুট জোতাৰে যাব নোৱাৰিম; কিজানি পিচলি পৰিব পাৰিম, তেনেহলে হকুলো মাটি।"

সাজতোলা।—"নপৰ বোপাই নপৰ। আজি-কালি পানী বোকা একো নাই; শুকান। সেই আলিটো বহল কৰিবলৈ মই ইমান খৰচ কত পাম? তাৰ বাহিৰে, লোকৰ মাটিৰ ওপৰেদি আলি; লোকে তাক বহলাবলৈ দিব কেলেই?"

মলক।—"আচ্ছা আলি বহলাব নোৱাৰা যদি কি কৰিবা। কিন্তু পুখুৰীৰ গেলা পানী হলে মই খাব নাই পাৰিম; খালে মোক একদম মেলেৰিয়া আৰু কলেৰা দোনো পাকৰিব।"

সাজতোলা।—"বাৰু বোপাই মই তাকে কৰিম; কিন্তু তই মোৰে শপত খাব লাগিব; নগলে মাৰ কান্দি-কাটি এধানৰা হব।"

মলক।—"অৱশ্যে অৱশ্যে যাম। যাম বুলি মই 'প্ৰমিছ্' মানে প্ৰতিজ্ঞা কৰিলো যেতিয়া 'ডিউটি বাউণ্ড' যাম। আইক কবা বেছি 'ছেণ্টিমেণ্ট' নকৰিবলৈ। কৰিলে কোনো 'ফয়দা' নাই। কিন্তু এটা কথা; তাত মই ভাত খাবলৈ দুবেলা গা ধুব নোৱাৰোঁ। তোমালোক ভেকুলী যেওঁৰ নিচিনাকৈ পানীত পৰিয়েই থাকা। তেনে কৰিলে মোৰ পানী লাগিব, চৰ্দ্দি হব, জ্বৰ আহিব, বহুত 'তকলিপ' হব। আৰু জ্বৰ হলে, বাই জোভ। হু উইল্ চেভ মি? ন ব্লডি ডক্টৰ, ন ব্লুমিং মেডিচিন দেয়াৰ।"

সাজতোলা।—"নেলাগে তুমি আমাৰ দৰে দুবেলা গা ধুব বোপাই, পুৱাবেলা এবাৰ ধুলেই হব।"

মলক।—"অল ৰাইট বট, ৰাতিপুৱাই গা নোধোৱাকৈ মোক 'ছোট হাজিৰি' দিব লাগিব; নতুবা মোৰ 'হেল্থ' মানে স্বাস্থ্য নষ্ট হব।"

সাজতোলা।—"ছোট হাজিৰি মানে কি বোপাই? তোৰ কি নষ্ট হব? ৰাতিপুৱাই তুমি আত কাৰো ওচৰত হাজিৰা দিব নালাগে।"

মলক।—"ইচ্ ইচ্ তুমি একো নুবুজা, ছোট-হাজিৰি মানে হাজিৰা নহয়, খানা। প্ৰাতঃ ভোজন। ৰাতিপুৱাৰ খানা।"

সাজতোলা।—"এতিয়া বুজিলোঁ। কোনো খাব নোপোৱা বস্তু নহয় নহয়? খাব পোৱা বস্তু কিয় খাবলৈ নিদিম? দুপৰ বেলিলৈকে তোক শুকাবলৈ দিব কিয়, মোৰ সোণাই। তোৰ মাৰে চিৰা সান্দহ নানা বকমৰ পিঠা পিঠাগুৰি টেকেলিয়ে টেকেলিয়ে তোলৈ সাঁচি থৈছে। তই যত পাৰ খাবি; গা নোধোৱ নালাগে ধুব।"

কমল।—"গুড্নেছ গ্ৰেশ্যচ। মোক মাৰিবলৈ ষড়যন্ত্ৰ কৰি থৈছেনে কি? হু দি ডেভিল উইল টেক ইয়ৰ ব্লুমিং চিৰা-পিঠা, এণ্ড পাৰ্টিকিউলাৰলি সেই ডেলিকেচি ইয়ৰ পিঠা-গুৰি? যোনো সেইবোৰ 'ডেঠ মানে মৃত্যু। মোক ৰাতিপুৱাই এপিয়লা চাহ, আৰু কণী এটা বা দুটা সিজাই দিবা, বচ্। কণী পোৱা যাবতো?"

সাজতোলা।—“আমাৰ ঘৰৰে দুজনী হাঁহে কণী পাৰিছে, পোৱা নামাৰ কিয় ?”

মলক।—“হাঁহ কণী। হৰিবোল। অল্ বাইট, আই নো উই পিপোল আৰ ষ্টিল ষ্টুপিদ ইন্ ডাৰ্কনেছ। আচ্ছা চলি যাব। আই উইল মেনেজ এনি হাউ। চোৰাঁচোন দেউতা। মিন্ টু চে বিৰক্ত নহবা। তুমি যেতিয়া মোৰ ওচৰলৈ আহাঁ তেতিয়া বগা কাপোৰ কানি পিন্ধি আহিবা। তোমাৰ গাত মলিবে কলা কাপোৰ দেখিলে মোৰ বৰ ‘ছেম’ হয়, মানে বৰ লাজ পাওঁ; আৰু মোৰ ‘চাৰভেণ্ট আই মিন’ লগুৱাইঁতেই বা মোক কি ভাবিব। কোট পেণ্টলুন পিন্ধি আহিব পাৰিলে মই বৰ সন্তোষ পাম।”

তোলন।—“বোলে সাত পুৰুষত নহল গাই, কৰীয়া লৈ খীৰাবলৈ যায়। মৰিবৰ কালত মই এতিয়া ঠেঙা পিন্ধি বছৰাৰ ভাও দিম। বোপা, তইঁতে যিমানে লেখা-পঢ়া শিকিছ, কিন্তু তইঁতৰ বুধিবিলাক কিবা কলিকতীয়া বেকা হৈ গৈছে।”

মলক।—“অল ৰাইট্। হোৱাটচু দি গুদ অৱ ডিচকচিং উইথ এ-এ-? বাৰু গুডবাই। তুমি যোৱাঁ, মই কাইলৈ যাম।”

পিছদিনা আমাৰ মলক চাহাব ঘৰলৈ গৈ কি কৰিলে, কেনেকৈ চলিলে সেইবোৰ বহলাই লেখিবলৈ গলে এখন পুৰাণ পুথি হব। মুঠতে ইয়াকে কওঁ যে, প্ৰথমতে কলা কাপোৰ পিন্ধি মাক আৰু ভায়েক তেওঁৰ ওচৰলৈ অহা বাবে তেওঁলোকে এজাউৰি বক্তৃতা শুনিলে। গাঁৱৰ ওঁহি-বঙহি মিতিৰ-কুটুম যি তেওঁক চাবলৈ আহিছিল, কোনেও তেওঁৰ পৰা একোপালি নোপোৱাকৈ ঘৰলৈ উভতি যাব পৰা নাছিল। হাতেৰে ভাত খাবলৈ আপত্তি আৰু মেজৰ ওপৰত ভাত নিদিলে খাবলৈ আপত্তি কৰাৰ বাবে, পুণাৰামে বাঁহৰ কাঁটা চামুচ সাজি, আৰু খুৰা দিয়া পীৰাৰ ওপৰত মাকে ভাতৰ কাঁহী তুলি দিহে তৰণি পাইছিল। মুঠতে যি তিন দিন মলক চাহাব ঘৰত আছিল, সেই তিন দিনৰ ভিতৰতে তেওঁৰ মাক-বাপেক ভায়েককে আদি কৰি গাঁৱৰ লগা-ভগা সকলোৱে দেও দেও দেখি তেওঁ কেতিয়া তাৰ পৰা ওলাই যায় তাকেহে চিন্তিছিল।

ইয়াৰ মাহচেৰেকৰ পিছত মলক চাহাব কিবা এটা দৰ্কাৰী কামত মফস্বললৈ যাওঁতে, আলিৰ কাষৰ পথাৰত ম’হৰ পিঠিত উঠি ম’হ চৰাই থকা ভায়েক পুণাৰামে তেওঁক দেখিবলৈ পাই, উলাহত আগ পিছ সকলোকে হঠাৎ পাহৰি, সাধুকথাৰ শিয়ালৰ দৰে আনন্দত আপুত হৈ, মাত লগালে “হেৰঙ ককাইটি। কলৈ যাব ?” ম’হগুৱালে হাকিমক এইদৰে সম্ভাষণ কৰাটো কি ‘বিস্ৰাদপৰ’ কথা হাকিমেহে তাক ভালকৈ বুজিব পাৰে; গতিকে আমাৰ হাকিমে তৎক্ষণাৎ ছাপৰাচীৰ হতুৱাই ভায়েকক ধৰাই আনি চব গোটাচেৰেক মৰাই গতিয়াই দিয়ালে। কিল খাই পুণায়ে নিজৰ গৰুৱালি বুজিব পাৰি একোকে নামাতিলে। আৰু পুণাৰামৰ আহি নৈ গছ-গছনি পছ-পতং চৰাই-চিৰিকতি বাটৰুৱা পৰুৱাও নিৰ্ব্বাক। দেখি শুনি আমিও অবাক।

প্ৰথম দৰ্শনত ওপজা প্ৰেম

সিদিনা বান্ধ গিৰীন্দ্ৰ বৰা কোপাই-জোপাই আহি মোৰ আগত উপস্থিত। মানুহটোৰ গতিটো দেখি মই ভয় খাই গলোঁ; বোলোঁ কি হ’ল ? এওঁ কৰবাত ভৰা নাও বুৰাই আহিল নেকি, নাইবা বাটত বনৰীয়া ম’হ কি গড়ৰ খেদা খাই আহিল ? মই তেওঁক আত্মবেস্ত কৰি কি হৈছে বুলি সুধিলত, বান্ধই তিনটা কি চাইটা দীঘল উশাহ সলাই লৈ মোক চকুৰ ঠাৱেৰে আঁতৰলৈ নিবলাকৈ মাতি নি তলত লেখাদৰে কবলৈ ধৰিলে।—

“বান্ধ মই বৰ মস্কিল এটাত পৰিহে তোমাৰ গুৰিলৈ আহিছোঁ। মোক কি হয় এটা বুদ্ধি-ভাগ দি ৰাখাঁ। নতুবা মই খিপাঙে মৰিলোঁ। মোৰ গাটো তুমি জানাই; সৰুৰে পৰা কেৱল কবিতা, নাটক, ‘নভেল’, ছাই আৰু ভস্ম, মাথা আৰু মুণ্ড কৰিয়েই গলোঁ। কবিতাৰ ৰস পিবলৈ পালে আৰু নাটক নভেলৰ সোৱাদ জিভাত লাগিলে বিশ্ব ব্ৰহ্মাণ্ড গোটেইখনলৈকে পিঠি দিওঁ। নাটক পঢ়ি তাৰ নায়ক হবলৈ হেঁপাহ লাগে; কবিতা পঢ়ি হাঁ-হুমুনিয়াহ কাঢ়ি একাকাৰ কৰোঁ। সৰ্ব্বনশীয়া নাটক নভেল পঢ়িয়েই, প্ৰথম দৰ্শনত ওপজা প্ৰেমত মোৰ থাউনি নোপোৱা বিশ্বাস জনন্মিছিল।

কিন্তু কবিতা নাটক নভেলেতো আৰু মানুহক পেটৰ চিন্তাৰ পৰা তৰাব নোৱাৰে। তুমি জানাই, দেউতা চুকাৰৰ পৰা গোলমলীয়া সংসাৰৰ গোলমলীয়া গধুৰ ভাৰ মোৰ মূৰত পৰিল। কি কৰোঁ নিৰুপায়, কবিতা নাটকৰ কিতাপবিলাক হেচুকি আঁতৰাই কামবীয়াকৈ থৈ ঘৰ সংসাৰৰ কাম হাতত ললোঁ। খেতি-পথাৰ গৰু-গাই ইত্যাদিত হাত নিদিলে নৌ হাতৰ ব্যাপাৰ নচলাত পৰিল যে। গতিকে, কবিতা থাককে বা যাওক, অগত্যা পুৰুষহীয়া পথাৰৰ থান দোৱাৰ তত্তাৱধানৰে পৰা বজাৰৰ নোণ তেল আৰু খৰিৰ খবৰা খবৰত ধৰিলোঁ।

সিদিনা অলপতে আমাৰ পথাৰত ধান দোৱা চাবলৈ গৈছিলোঁ। দেখিলোঁ, গাতজনী দাউনীয়ে বুকুত মেখেলাৰ মেঠনি মাৰি আৰু বিহাখন ক'কালত বান্ধি ধান দাব লাগিছে। সিহঁতৰ ভিতৰবে এজনী দাউনী ১৮।১৯ বছৰীয়া ডেকেৰী ছোৱালী। তাইৰ হাত দুটা লোহোৰা-লোহোৰ। তাই মেখেলাখন উজাই পিন্ধা বাবে আঠুলৈকে ভৰিৰ ঘিউৰোখৰ ওলাই পৰিছিল, সেই ডোখৰ দেখিলেই বুজিব পাৰি যে তাই এজনী ডাকৰী তিৰুতা। তাইৰ আঙুলিবোৰ যেন একো সেবা পাঁজিহে; তপিনা দুটা মঙহৰ ভৰত থৰ্থৰ্ কৰে কঁপিছে, আৰু ধৰলৰ নিচিনা গৰু কঁকালটিবো বুকুৰ ভৰত সেই অৱস্থা হৈছে। মইনো তোমাক কি কম বান্ধ, বেচেৰীৰ গাল দুখনি যেন দুটি পকা আনোলন টেঙাহে, আৰু কপালখনি যে জাতি-চন্দন পিহা নিজম পটাখনিহে। খোপাটো নূৰটোৰে সৈতে জোখত কিজানি সমানেই হব, আৰু চকু দুটা মাৰাত্মক বিধৰ। ৰ'দত ৰপুৰীৰ মুখখন পকি পৰি, কি কম, সেন্দুৰীয়া আমটি যেন হৈছিল দেখিলেই আঃ"—

কথাষাৰ তেওঁ শেহ নোকৰোঁতেই মই মাত লগাই এই বুলি শেহ কৰিলোঁ, "দেখিলেই ঢোৰা কাউৰীটো হৈ উৰি গৈ খুটিয়াই দিবৰ মন যায়।" তেওঁৰ কথাষাৰৰ মই কৰা পাদপূৰণটো তেওঁ "নাপ-ছন্দ" কৰি কবলৈ ধৰিলে—

"ধেমালি নকৰিবা বান্ধ, এইবিলাক ধেমালিৰ কথা নহয়। যাওক সেই কথা। মোৰ ফালে তাই কেৰাহিকৈ মাখোন এবাৰ চাইছিল। সেই বাবে আমাৰ দুয়োৰো চাৰি চকুৰ মিলন ঘটিল। বান্ধ, তোমাৰ আগত মই মিছা নকওঁ, পকা জলা মৰিচটোত হঠাৎ কামোৰ মাৰি দিলে যেনেকৈ মুখখন কাণে সৈতে জন্জনাই যায়, সেইদৰে সেই দৃষ্টিত মোৰ গা গোটেইটো জন্জনাই গল। আৰু গাৰ নোমবোৰ শিয়ঁৰি উঠিল। ৰতাহত পতাকা চট্চটাই উৰি কঁপাৰ দৰে মোৰ মনটো কঁপিবলৈ ধৰিলে। তথাপি তেতিয়াও মোৰ মনৰ ঘাই শিপাডাল একেবাৰেই উভাল খোৱা নাছিল। কিন্তু এনেতে হঠাৎ এটা ঘটনা ঘটি তাক শেষ কৰিলে। সেই ঘটনাটো এই। মই দাউনীহঁতে ধান দোৱা চাই থাকোতেই হঠাৎ কৰবাৰ পৰা এটা গলধন ধৰা ম'হে আন এটা গলধনীয়া ম'হক খুচিবলৈ চাপলি মেলি টেঁটাই খেদি লৈ অহা দেখিলোঁ। চাওঁতে চাওঁতে ম'হ দুটা দাউনীহঁতৰ কাষ পালেহি। দাউনীহঁত ভয়ত চিঞাদিহি পলাল। মই ল'ৰ মাৰি গৈ আলিৰ কাষৰ এজোপা গছত উঠিলোঁগৈ। কিন্তু দেখি আচৰিত মানিলোঁ যে ওপৰত উল্লেখ কৰা দাউনীজনী লগৰীয়া-হঁতৰ সৈতে পলোৱা দূৰৈত থাওক, তাই হাতৰ কাঁচীখন দাঙি লৈ চাপলি মেলি খেদি অহা ম'হ দুটাৰ ফালে অকলৈ চোচা ললে। ব্যাপাৰটো দেখি গছৰ ওপৰতে মোৰ হাত-ভৰিবোৰ ঠক্ঠক্ কৰে কঁপিবলৈ ধৰিলে। কিন্তু সাহৰ কি ভয়ানক বল, যুঁজাৰু ম'হ দুটাই ভূতৰ ওপৰত দানহ ওলোৱা দেখি ভয় খাই এফলীয়া কাটি দুয়ো দুফালে আঁতৰি গুচি গল, আৰু সিহঁতৰ খং আৰু যুঁজৰ প্ৰবৃত্তিও পানী চলা জুই যেন হৈ তেতিয়াই নুমাই গল।

ইয়াৰ পিচত মই গছৰ পৰা নামি মাটিত থিয় হলোঁ; কিন্তু মোৰ মূৰটো অলপ আচন্ত্ৰাই কৰা যেন, মনটো একেবা মান অথিৰ-অথিৰ হোৱা যেন আৰু হাত-ভৰিবোৰ ষৎকিঞ্চিৎ থৰক্-বৰক্ কৰা যেন পালোঁ। অৱশ্যে তোমাক কোৱা আৱশ্যক যে এইবোৰ ভয়ত নহয়; এটা অপৰূপ ভাবে মোৰ মনত ঠাই লৈহে মোক এনে কৰিছিল। গতি বিষম বুজি মই তাত নাথাকি লাহে লাহে ঘৰলৈ গুচি আহিলোঁ। ঘৰ পায়েই মই তিনি চলু পানী মোৰ মূৰত থপিয়াই দি অলপ থিৰ হলোঁ। কিন্তু হলে কি হব? মোৰ গাত জ্বৰ উঠিল। অৱশ্যে সেই জ্বৰ আমাৰ চিনাকি সস্তা জ্বৰ নহয়, সি আপুৰুগীয়া আটকীয়া জ্বৰ। খোলাখুলিকৈ কৈ দিয়াই ভাল যে, মোৰ গাত প্ৰেম-জ্বৰৰ লক্ষণ-বোৰে সম্পূৰ্ণৰূপে দেখা দিলে। সেইবিলাক বৰ্ণনা কৰি মিছাতে, বান্ধ, মই তোমাৰ সময় নষ্ট নকৰোঁ। কথাতে কয় 'কাৰ জ্বৰত কোনে পিয়ে পানী, কাৰ ভগিনী মৈলে কাৰ হয় হানি।' মোৰ জ্বৰৰ ফলা-ফল মইহে অকলৈ ভোগ কৰিব পাওঁ, লোকক তাৰ ভাগী কৰিবলৈ যাব নাপাওঁ। মুঠতে তোমাক ইমাকে কওঁ, যে দিনদেকৰ নিমিত্তে আহাৰ নিদ্ৰাৰ সৈতে মোৰ সম্বন্ধ গুচিল। তাৰপৰা সেই প্ৰেম-জ্বৰ নে ডোমজ্বৰটো মই কোনোমতে খেদাব নোৱাৰা হলোঁ, থাকি থাকি সি উক দি উঠে। অনেক ভাবি চিন্তি চোকা দৰৱৰ দিহা কৰাটোকেই উচিত যেন বিবেচনা কৰিলোঁ; নতুবা ভয় হল, পাছে সি জ্বৰ গৈ কেনেবাকৈ জীৰ্ণ জ্বৰত পৰিণত হয় গৈ। মোৰ মনত পৰিল, লঙ্কাখন পুৰি আঁতাইয়ো হনুমন্তৰ নেজৰ জুই নুনুমুৱা হ'লত হনুমন্তই ভয় খাই বিবুধি হৈ কি কৰিম বুলি সীতা আইক বুধি সোধাত, সীতাই কলে, 'কিয় হনুমন্ত বিবুধি হোৱা? নেজৰ অগনি মুখে নুমুৱা।' মইও এতিয়া এই অদ্ভুত জ্বৰৰ অদ্ভুত অগনিৰ পোৰণিত বিবুধি হৈ পৰি মনক বুধি সুধিলোঁ। মনেও সীতাৰ দৰে কলে 'নেজৰ অগনি মুখে নুমুৱা', অৰ্থাৎ তুমি সেই ছোৱালীজনীকে বিয়া কৰোৱা। 'বাঃ ৰে মন! বেছ বুজিছো! মোৰ মনত ইমান পৰ খেলোৱা নাছিল কিয়!' এই বুলি মই মোৰ মনক ভাবিহ্ কৰি খুবি জুলি

সেই দিনাৰ সেই ধান দাউনী মহিষমৰ্দ্দিনী ছোৱালী-জনীৰ ভু-ভা লবলৈ এজনক বিপুৰা ধৰিলোঁ। খাতৰি পালোঁ, ছোৱালীজনী আবিয়ৈ, কিন্তু জাতত আহোমনী। কি সৰ্ব্বনাশ। মই শূদিবৰ ঘৰৰ ল'ৰা। আমাৰ দুয়োৰো মাজত জাতৰ খাবৈটো ইমান বহল, যে সহজে জঁপিয়াই তাক পাৰ হব নোৱাৰি। কিন্তু ভাবিলোঁ, হনুমন্তই ভাৰতবৰ্ষ আৰু লঙ্কাৰ মাজত বহল প্ৰণালীটো জঁপিয়াই পাৰ হবলৈ সাহ নকৰাহেঁতেন পাৰ হব নোৱাৰিলেহেঁতেন আৰু সীতাৰ উদ্ধাৰো নহলহেঁতেন। এতিয়াও যদি মই এই জাতৰ বহল খাবৈটো সাঁহ কৰি যথা-শক্তি জপিয়াই পাৰ হব নোৱাৰোঁ, তেন্তে মোৰ সেই মনোমোহিনী ধান-দাউনীৰো উদ্ধাৰ অসম্ভৱ। এইদৰে ভাবি মোৰ মনত মহা তোলপাৰ লাগি পৰিল। লুকুৱাৰ সকাম কি, মুঠতে খুলি কলেই হব যে সেই মুহূৰ্ত্তৰে পৰা মোৰ জাতৰে সৈতে প্ৰেমৰ তুমাময়া ৰণ লাগিল। শেহত জাত হাৰিল, প্ৰেম জিকিল। প্ৰেমে মোৰ কাণত ফুচুফুচাই কলে, যে আপুনি মনত একো খুকুৰি নাৰাখিব, আগুৱাই যাওক, আগুৱাই যাওক। স্বৰূপতে কবলৈ গলে মোৰ জাত কুল একো নাই, মই প্ৰেম, মই পৰমহংস। জাতকুলৰ মই কোনো 'এলেকা' নাৰাখোঁ। মই প্ৰেম, মই স্বাধীন, কাৰো ঘৰত মই কৰ নোশোধাওঁ। সেই কথা শুনি মই উত্তৰ দিলোঁ, বেছ কথা 'যব মিঞা বিবি ৰাজী। তব্ ক্যা কৰে চহৰকা কাজী।' মই বিয়া কৰাম। প্ৰেমে 'ছপ্লিমেণ্ট' (Supple--ment) পৰিশিষ্ট স্বৰূপে মোক আৰু এইকেষাৰ কথা কলে যে 'ডাঙৰ মানুহে, সৰু মানুহে, ওখ কুল নীহ কুল চহকী আৰু ভিকহু, মানুহে বা সমাজে দিয়া এইবোৰ চকোৱাৰ বেৰ মই মানিবলৈ বাধ্য নহওঁ। সকলোকে একেজনা ঈশ্বৰে সৃজন কৰিছে, সকলো তেওঁৰ চকুত সমান আৰু আমি সকলোবোৰ ভাই ককাই।' মই ভাবিলোঁ, বাস্তবিক পক্ষত এই কাৰ্য্য কৰি মই মোৰ নৈতিক বলৰহে চিনাকি দিম। সমাজে মোক এঘৰীয়া কৰে যদি কৰিব, মই সজ বুলি যি কাম বুজিছো সেই কাম কৰিমেই। এই দৰে ভাবি মই ছোৱালীৰ বাপেকৰ ওচৰলৈ বিয়াৰ প্ৰস্তাৱ পঠিয়াই দিলোঁ। সিহঁত দুখীয়া সৰু মানুহ, মই চহকী ডাঙৰ মানুহ, প্ৰস্তাৱটো শুনি বাপেকে ভয় খাই উত্তৰ দিলে, 'ডাঙৰীয়া খোপাই আমি দুখীয়া মানুহৰ সৈতে ধেমালি কৰিছে কেলৈ? আমি দেখোন তেখেতৰ ওচৰত কোনো অপৰাধ কৰা মনত নপৰে।' এই উত্তৰ পাই মই আকৌ ভালকৈ সিহঁতে পতিয়ন কৰিব পৰাকৈ কৈ পঠিয়ালোঁ যে 'মই তেওঁলোকৰ সৈতে ধেমালি কৰা নাই, মই সঁচাকৈয়ে তেওঁৰ জীয়েকক খুজি-বাচি বিয়া কৰাব খুজিছোঁ।' মোৰ কথ এইবাৰ সঁচা যেন পাই ছোৱালীৰ বাপেকে উৰুলীকৃত হৈ সেই প্ৰস্তাৱত সন্মত হৈ উত্তৰ দি পঠিয়ালে। ডাঙৰ মানুহ জোঁৱাই পাব, জীয়েক ডাঙৰ মানুহৰ ঘৈণী হব, সুখে থাকিব, লগতে সিহঁতৰো অৱস্থা আৰু মান বাঢ়িব, ইয়াতকৈ আৰু গৌৰৱৰ কথা সিহঁতৰ কি হব পাৰে?

মই কিন্তু মোৰ বঙহ পৰিয়াল মিতিৰ কুটুম কাকো এই কথাৰ গুংসূত্ৰ দিয়া নাছিলোঁ, কাৰণ এই কথা তেওঁলোকৰ আগত প্ৰকাশ কৰা মানে বৰলৰ বাহত জুই লগাই দিয়া। কাৰ্য্য সাধন হৈ গলে তেহেলৈ যি হয় হব, কিন্তু হোৱাৰ আগেযে তাত খিখিনি জন্মাবলৈ লোকক চেলু দিয়াটো উচিত নহয়। তলে তলে মই মোৰ ভাৱী শহুৰৰ ঘৰলৈ অহা-যোৱা কৰিবলৈ ধৰিলোঁ। মই নতুন প্ৰণালীত শিক্ষিত ডেকা। আগৰ দিনীয়া পুৰণি মামৰে খোৱা প্ৰণালী আৰু লাজ কাটি কৰি থৈ, ছোৱালীৰে সৈতে দেখা শুনা কৰি কথা বাৰ্ত্তা কৈ ভালকৈ চিনাকি হলোঁ; অৰ্থাৎ ইংৰাজী ভাষাত 'কৰ্টছিপ' (Courtship) বোলে, তাকে কৰিবলৈ ধৰিলোঁ। মোৰ ব্যৱহাৰত সিহঁত আপ্যায়িত হৈ হাতেৰে স্বৰ্গ চুকি পালে।

'কৰ্টছিপ' চলি থাকোঁতে পৰশুই দেওবাৰে 'বিনা মেঘে বজ্ৰাঘাত' হল। কথাই কথাই তাই মোক মৰম লগাই এবাৰ সুধিলে, 'হেৰি! কিয়নো মোৰ ওপৰত আপোনাৰ ইমানটো মৰম সোমাল কওকচোন?' মই সেই ম'হৰ ঘটনাৰ উল্লেখ কৰিলোঁ। মোৰ সেই কথা শুনি তাইৰ মুখখন কেঁহেৰাজ বটা যেন হৈ কলা পৰি গল। সেই কথা শুনি হঠাৎ কিয় তাই সেইদৰে বৰণ সলালে বুজিব নোৱাৰিলোঁ। সেই দিনা তাৰ কাৰণ জানিবলৈ মই কোনো চেষ্টা নকৰি ঘৰলৈ গুচি আহিলোঁ। কিন্তু পিচত পাকে-প্ৰকাৰে উৱাদিহ লৈ জানিব পাৰিলোঁ যে মই গুৰিতে ভুল কৰিছোঁ। ম'হৰ ঘটনাত সাহ দেখুৱা সেই সুন্দৰী ছোৱালীজনী এইজনী নহয়। এইজনী তাইৰে লগৰীয়া সাতজনী দাউনীৰ ভিতৰৰ আন এজনী ছোৱালী। যিজন মানুহ বিপুৰা ধৰি সেই ছোৱালীৰ ভু লবলৈ আৰু বিয়াৰ প্ৰস্তাৱ কৰি পঠিয়াইছিলোঁ, সেইজন মানুহে ভুল কৰি আচলজনী ছোৱালীৰ বাপেকৰ আগত সেই প্ৰস্তাৱ নকৰি এইজনীৰ বাপেকৰ আগত কৰিলে। কিন্তু এতিয়া ঘটনাটো অনেক আগবাঢ়িল আৰু গুৰুতৰ হৈ উঠিল। মোৰ প্ৰথম দৰ্শনত জন্মা প্ৰেমৰ গছজোপাৰ, গুৰি একেবাৰেই উভালি পৰি সি কাটি হৈ পৰিল। মই কৰো কি এতিয়া? মোক তুমি এটা বুদ্ধি দিয়া।"

কথাবিলাক বাদ্ধৱ, কিন্তু গোঁককোছা মোৰ নিজৰ, সেইদেখি তেওঁৰ কথাৰ ওৰ পৰিলত মই মোৰ গোঁফত তাও দি গহীনকৈ উত্তৰ দিলোঁ– "নোৱাৰোঁ দিব।" মোৰ উত্তৰ শুনি বান্ধ বৰাই চকু চুলচুলীয়াকৈ, মোৰ ওচৰৰ পৰা গুচি গ'ল।

মিষ্টৰ ফিপ্সন

এদিনৰ এবেগেতীয়া ঘটনা এটা আজি কওঁ। হাওৰালৈ আহিবলৈ বুলি এদিন ইষ্ট ইণ্ডিয়া ৰেলৰ মধুপুৰ ষ্টেছনত ডাকগাড়ীত উঠিলোঁ। য়ুৰোপীয় সাজেৰে মোৰ আপাদমস্তক পৰিশোভিত। গতিকে, আন খোটালিকেইটা মানুহেৰে ঠাহ খাই থকা দেখি, "য়ুৰোপীয়সকললৈ সুকীয়াকৈ ৰখা হৈছে" এই বুলি বাৰত জাননী আঁৰি দিয়া এখোঁটালিত নিৰ্ভয়ে নিসঙ্কোচে উঠি পৰিলোঁ। যদিও নিৰ্ভয়ে নিসঙ্কোচে মই তাত উঠিলোঁ. তথাপি চোৰাকাউৰীয়ে ম'ৰাৰ পাখি পিন্ধি ম'ৰাৰ লগত ছালি ধৰি নাচিবলৈ যোৱা যেন যে মোৰ মনত নালাগিছিল এনে নহয়। যাওক, কাৰণ সেইটো আন এটা বাটৰ কথা। সেই খোটালিটো "ফিৰিঙ্গীনন্দন দুজনে শোভা কৰি আছিল। তেওঁলোকে মোকো কোনোৰা "ফিৰিঙ্গী-নন্দন মোৰ বান্ধৱ এ" ভাবি আপত্তি নকৰি সামৰি ললে যেন পালোঁ। কিন্তু স্বদেশী বিদেশী কাপোৰৰ চুৰিয়া পিন্ধা বঙালী বা ভাৰতবৰ্ষীয় আন কোনো যাত্ৰী মানুহ সেই খোটালিত ঠোকা দূৰৈত থাওক, তাৰ কাষলৈ আহিলেই সেই যুগল মুৰ্ত্তিয়ে, কেঁটা সাপে খুঁচিবলৈ কোঁচ কৰি উঠাদি কোঁচ কৰি উঠিছিল। ফিৰিঙ্গী-নন্দন দুজনৰ গাৰ বৰণ মোৰ গাৰ বৰণতকৈ কেইবা পোছও কলা বুলি আমাক দেখোঁতাসকলে নকৈ নোৱাৰিলেহেঁতেন। তেওঁলোকৰ নাক-মুখ ইত্যাদিৰ গঢ আমাৰ পথাৰত হাল বাওঁতা খিহৰা হালোৱাৰ নাক মুখৰ গঢ়তকৈও নাইবা আমাৰ ধোঁৱাশালত ধোঁৱাৰ আলধৰা খুদমন চহিচৰ ধৰা নাক আৰু বহল বদনতকৈও যে আপচু তাত কোনো সন্দেহ নাই , কিন্তু হলে কি হব, তথাপি তেওঁলোক সিংহৰ 'ছৰা' তেহেলৈ শিয়ালীৰ গৰ্ভতেই জাত হওক। তেওঁলোকৰ মুখৰ পৰা ওলোৱা ইংৰাজী ভাষা, আমাৰ মাছ বোগনিয়াৰ শ্ৰীলেহেতীয়াৰ মুখৰ পৰা ওলোৱা অসমীয়া ভাষাৰ সৈতে একে শাৰীতে বুলি ধৰিলেও ভুল নহয়। আমাৰ লেহেতীয়াই তাৰ কথাষাৰে পতি যেনেকৈ কিবা এটা অবাইচ এঠা নলগালে কথাৰ জোৰা মিলাব নোৱাৰে; তেওঁলোকেও সেইদৰে তেওঁলোকৰ কথাষাৰেপতি "ব্লাড়ি" শব্দটোৰে নেঠালে কথাৰ জোৰা বেজাই থাকে। লেহেতীয়াৰে সৈতে তেওঁলোকৰ অলপ অমিল দেখা যায় মাথোন এইখিনিতে যে, সি কথায় কথায় গুৰু গোসাঁইৰ নাম ধৰি শপত নাখায়, কিন্তু এওঁলোকে এচিয়া য়ুৰোপ আমেৰিকাত গুৰু গোসাঁইৰ যত শপত আছে, আটাইবোৰ কথায় কথায় তুলি উবুৰিয়াই নাইবা ঢকাডিঙৰীয়া লগাই খায়। এইখিলাক যি নহওক, মই গাড়ীত সোমালতে তেওঁলোকে মোৰে সৈতে ভদ্ৰভাৱে কথা কবলৈ ধৰিলে আৰু দেশী মানুহৰ ওপৰত তেওঁলোকৰ মন্তব্যবিলাক মোৰ আগত নিশঙ্কচিত্তে ফৰ্কৰ কৰে প্ৰকাশ কৰিবলৈ ধৰিলে। মই বেচেৰাই নিৰুপায় হৈ মূৰ জোকাৰি কোনো মতে "ইয়েছ," "ন' কৈ গা সাৰি সিহঁতৰ লগত অস্থায়ীৰূপে জীণ যাবৰ চেষ্টা কৰি সেই ভয়ঙ্কৰ 'সাধু সঙ্গত' আহি আসান্সোল ষ্টেছন পালোহি। আসান্সোলে দুইকো জৰাসন্ধ নিচিনাকৈ ফালি দুফাল কৰিলে, অৰ্থাৎ আসান্সোল ষ্টেছনত তেওঁলোকৰ মাজত বিচ্ছেদ ঘটিল ; তাতে এজন গাড়ীৰ পৰা নামি গ'ল। যিজন গাড়ীত মোৰে সৈতে ৰল, তেওঁ এই ভৱ-সংসাৰৰ এচুকত মিষ্টৰ ফিপ্সন নামে খ্যাত। ফিপ্সন হাওৰাযাত্ৰী, গতিকে মই হাওৰা নোপোৱালৈকে তেওঁ মোৰ এৰাব নোৱাৰা সঙ্গী। সেইদেখি আকৰীৰে সৈতে গৃহবাস কৰিব লগীয়াত পৰাৰ দৰে তেওঁৰে সৈতে সন্তাৰ কৰি, অৰ্থাৎ মানস সৰোবৰত চৰা ৰাজহংসৰ নিচিনাকৈ নীৰৰ পৰা ক্ষীৰ উলিয়াই লৈ, অৰ্থাৎ মন্দৰ ভিতৰৰ পৰা ভাল উলিয়াই লৈ বেগাবেগিকৈ মোৰ অৱস্থাৰ উন্নতি কৰিবলৈ বাধ্য হলোঁ। প্ৰথমতে একেধাৰ দুআষাৰ, তাৰ পিচত ভালেমান কথা থপিয়াথপিকৈ তেওঁৰে সৈতে পাতি লৈ তেওঁৰ বুকুৰ দুৱাৰমুখত মই প্ৰৱেশৰ নিমিত্তে থিয় হলোঁ, আৰু তেওঁ উদাৰ ভাবে তত্তালিকে তাৰ দাং খুলি দিলে, মই তেওঁৰ হিয়াৰ ভিতৰ সোমালোঁ। তেওঁৰ হিয়াৰ ভিতৰত সোমাই লৈ মই বুজিলোঁ যে তেওঁৰ ওপৰত মই পোনতে পাতি লোৱা মতটো অলপ ঘূণে খোৱা। তেওঁ জাতিভাই ফিৰিঙীৰ লগত পৰি যদিও ফিৰিঙী স্বভাৱৰ ভালেমান চানেকী দেখুৱাইছিল, কিন্তু আচলতে তেওঁৰ হৃদয়ত অভদ্ৰতা আৰু অসভ্যতাৰ ঠাই বৰ নাই বুলিলেই হয়। অৱশ্যে আসান্সোলনত নামি যোৱা তেওঁৰ বন্ধুজনৰ বিষয়ে এইদৰে কব নোৱাৰোঁ। এইটো ধুৰূপ। সেইজনৰ গওঁপীয়া বৰ কথা, কুলক্ষণীয়া গঢ়-গতিয়ে মোৰ মনত যথেষ্ট তিতা লগাই থৈ গৈছিল। সঙ্গদোষ বৰ দোষ। কুসঙ্গৰ অভাৱত স্বভাৱৰ পৰিবৰ্ত্তন ঘটাৰ বাবেই হওক, নাইবা, স্বভাৱতে তেওঁতকৈ এওঁ সৰল আৰু উদাৰ মনৰ বাবেই হওক, লাহে লাহে এওঁৰ কথা বাৰ্ত্তাত এওঁক মোৰ ভাল লাগি আহিল। তেওঁ কৰ মানুহ কলৈ যায় কি কাম কৰে ইত্যাদি কথা সুধিলোঁ ; আৰু উত্তৰত দেখিলোঁ, এওঁ লাহেকৈ মোৰ আগত তেওঁৰ

হিয়াখন উবুৰিয়াই দিলে। তেওঁৰ নিজৰ জীৱন ইতিহাসৰ গুৰিৰ এপাত নুকলি কৰি মোৰ আগত থৰিলে, আৰু মই তাক পঢ়ি পেলালোঁ। ইংৰাজী ভাষাত কোৱা তেওঁৰ কথা কেইযাৰৰ সাৰমৰ্ম্ম তলত অসমীয়াকৈ দিলোঁ—

"মোৰ বান্ধ! মোৰ জীৱনৰ কাহিনী দোখোৰ এন্ধাৰৰ দ গাঁতৰ ভিতৰত লুকুৱা। মই নিজেই তাৰ উৱাদিহ একো নাপাওঁ। মই শুনিছোঁ মই হেনো ফিপ্সন নামেৰে অসমৰ চাহবাগিচাৰ ইংৰাজ এজনৰ ল'ৰা। মোৰ আই হেনো এজনী অসমীয়া পোহাৰী। পোহাৰী কাক বোলে আপুনি কিজানি নাজানে। অসমত ঘৰে ঘৰে বস্তু বেচোঁতা স্ত্ৰীক তিৰোতাক বুজায়। মোৰ বাইক মিষ্টৰ ফিপ্সনে তেওঁৰ নেম কৰি ৰাখিছিল, বেইতা বৈণীয়েক নহয়। আইৰ গৰ্ভত ফিপ্সনৰ দুজনী ছোৱালী আৰু এটা ল'ৰা জন্ম হল। সেই ল'ৰাটোৱেই এতিয়া আপোনাৰ আগত নিজৰ মৰ্ম্মান্তিক দুখৰ কাহিনী কৰ লাগিছে। আমাক সৰুতে বোপায়ে অসমৰ পৰা দেশান্তৰী কৰিলে। আমাৰ জ্ঞান জন্মা কালতে তেওঁ আমাক অসমৰ পৰা আনি কলিকতাত স্কুল এটাত আমাৰ পঢ়াৰ আৰু খোৱা-পিন্ধাৰ খৰচ দি থৈ দিলেহি। বোপায়ে সেই যে আমাক পঠিয়ালে, সেই দিনৰ পৰা আজিলৈকে আমি দুৰ্ভগীয়া কেইটাই আমাৰ আই বোপাইৰ মুখ দেখিবলৈ পোৱা নাই। আমাক কলিকতাত থোৱাৰ কিছুমান বছৰৰ পিচত মিষ্টৰ ফিপ্সনে অসমৰ চাহবাগিচাৰ কাম এৰি আৰু লগে লগে হতভগীয়া আইকো এৰি বিলাতলৈ গুচি গল হেনো, আৰু উভতি নাহিল। বিলাতত হেনো তেওঁ নকৈ বিয়া কৰাই দহজনৰ ভিতৰত এজন হৈ বসতি কৰিছে। অৱশ্যে তেওঁ বিলাতত ক'ত আছে, আমি আজিলৈকে সমূলি নাজানোঁ; আৰু আগলৈকো যে তাৰ কিবা সন্ধেদ পাম এনে আগন্তুক নাই। যাতে এইবোৰ বাতৰিৰ কোনো উৱাদিহ নাপাওঁ তাৰ তেওঁ কটকটীয়া দিহা কৰি গৈছে। বিবোৰৰ মুখৰ পৰা সেই বাতৰি ওলাবৰ সম্ভৱ, সেইবোৰৰ মুখত তেওঁ ভালকৈ ধনৰ সোপা দি থৈ গৈছে। আজি দুই তিনি বছৰ ধৰি মই আমাৰ আঁতিগুৰি, আইৰ নাম আৰু থকা ঠাই, বোপাইৰ বিলাতৰ ঠিকনা ইত্যাদি উলিয়াবলৈ চেষ্টা কৰি ফুৰিছোঁ, কিন্তু তাক উলিয়াব পৰা নাই আৰু পাৰিম যে তাৰো আশা নাই। বোপাইৰ নাম যে ফিপ্সন আছিল, সেইটোতো এতিয়া মোৰ সন্দেহ হৈছেগৈ। এতিয়া বুজিছোঁ তেওঁ ফাকি দি নাম সলাই আমাক কলিকতাত থৈছিল। পাপিষ্ঠই নিজৰ সন্তান সন্ততিক যে এইদৰে পৰিত্যাগ কৰিলেই আমাক আমাৰ আইৰ পৰাও বঞ্চিত কৰিলে। আই পোহাৰীয়েই হওক বা দন্দুৰীয়েই হওক, দেশীয়েই হওক বা বিলাতীয়েই হওক, দুখীয়া হোজা তেওঁক ঠগ কৰি, জনমলৈ ধ্বংস কৰি, পাষণ্ডই বাটৰ মগনিয়াৰ কৰিবৰ তাৰ কোনো অধিকাৰ নাছিল। মই কত ঠাইত কত বিচাৰিছোঁ, কত ফুৰিছোঁ, তথাপি মোৰ দুৰ্ভগীয়া আইৰ কোনো ভু-ভা উলিয়াব পৰা নাই। —হে পৰমেশ্বৰ! হে অগতিৰ গতি! মই মোৰ আইক ক'ত দেখিবলৈ পাম? মোৰ দুখুনী আইক মোক এবাৰ দেখুৱাই দিয়া হে ঈশ্বৰ! তেওঁক পালে তেওঁৰ কোলাত মই এবাৰ মূৰ সুমাই তেওঁক সান্ত্বনা দি, খাবলৈ মুখত ভাত এমুঠি, পিন্ধিবলৈ কাপোৰ এখন দি মই মোৰ জীৱন সাৰ্থক কৰোঁ!

* *

বিলাতৰ পৰা এই শ্ৰেণীৰ পাপিষ্ঠ পশু প্ৰকৃতিৰ কোনো কোনো লোক আহি নিজৰ পাশৱ-বৃত্তি চৰিতাৰ্থ কৰিবৰ নিমিত্তে দুখীয়া হোজা দেশী মানুহক লোভ দেখুৱাই চিৰকাললৈ ধ্বংস কৰি, স্বাৰ্থপৰতাৰ বশৱৰ্ত্তী হৈ ভীৰু কাপুৰুষ ভাৱে, ভাৰতত ঘটা ধন এপেৰাকৈ পেৰাত ভৰাই লৈ উভতি গৈ নিজৰ দেশত ভাল মানুহ বোলাই ভাল মানুহৰ শাৰীত সোমাই নিজৰ ঘিণ লগা পপীয়া জীৱন কটায়। ঈশ্বৰৰ ভয়ঙ্কৰ বজ্ৰ ইহঁতৰ মূৰত নপৰে কিয়? চয়তানৰ ভীষণ নৰকত ইহঁতৰ ঠাই নহয় কিয়? হে মাইকেল! হে গেব্ৰিয়েল! তোমালোকৰ হাতত মোৰ দুখুনী হতভাগিনী আইক গতালোঁ; তোমালোকে তেওঁক ৰক্ষা কৰাঁ! উস!

* *

হে মোৰ ঈশ্বৰ! মোৰ জন্মদাতা পাপীক যদি কোনোবাই মোক দেখুৱাই দিব পাৰে, সি থকা ঠাইৰ সঠিক বাতৰি যদি মোক কোনোৱে আনি দিব পাৰে, তেন্তে মই তোমাৰ ওচৰত বাইবেল হাতত লৈ শপত খাই কৈছোঁ, মই নিজ হাতে, মোৰ এই দুৰ্ব্বল হাতেৰে তাৰ পপীয়া জীৱনৰ ওৰ পেলাই, মোৰ দুখীয়া আইৰ, অনাথা আইৰ, আৰু আমি তিনিটা অনাথ প্ৰাণীৰ প্ৰতিশোধ লৈ তাৰ তপত তেজেৰে ইংলণ্ডৰ মাটি ৰঙা কৰিম! আপুনি সিদিনা বাতৰি কাকতত বিলাতৰ হুইট্‌লি আৰু ৰেইলৰৰ ঘটনাটো নিশ্চয় পঢ়িছে। মই সেই ৰেইলৰতকৈয়ো আৰু কঠোৰ ভাৱে মোৰ হুইট্‌লিক শাস্তি দিবলৈ সাজু আছোঁ।"

এই বুলি বেচেৰা ফিপ্সনে চকুৰ পানী টুকিবলৈ ধৰিলে। ইয়াৰ পিচত বাকী ভোখৰ বাটত "অ' মোৰ দুখুনী আই! তুমি কত আছাঁ?" এই কথাৰ বাহিৰে তেওঁৰ মুখত আৰু আন কোনো কথা নুতনিলো। অলপ পিচতে গাড়ী আহি

বৰ্দ্ধমান ষ্টেছন পালত, মিটৰ ফিল্গনে দেখোন হঠাৎ উঠি মোৰ হাত জোকাৰি গুড্‌বাই বুলি নামি গুচি গল। মই সুধিলোঁ, "আপুনি হাওৰাতে নামায় নে?" তেওঁ উত্তৰ দিলে, "নামাওঁ।"

ভুৱুকী বো

এদিন এজনে তলত লেখা ঘটনাটো মোৰ আগত কৈছিল। তেওঁৰ মুখৰ পৰা মই যেনে শুনিলো হুবহু তলত তেনেকৈ লিখিলোঁ।

"অসমীয়া মানুহ কানীয়া, এই বদনামটো অসমীয়াৰ গাত যাবে মন যায় গিয়ে দিয়ে। কিন্তু বদনাম দিওঁতাসকলে জনা উচিত যে বঙ্গদেশৰ বঙ্গালীও সেইপাকে নিচেই উন্নতিত পৰি মৰা নহয়। প্ৰভেদৰ ভিতৰত আমাৰ অসমীয়া কানীয়াই তাৰ চেঙেলীয়া বয়সতে কানিত মুখ দিয়ে, বঙালী 'আফিং খোৰে' হলে সাৰ ফুটা বয়সীয়া অৱস্থাতহে সেই আপুৰুগীয়া বস্তু ফেৰাবে সৈতে চিনাকি হয়। আৰু অসমত আজি কালি যাইকৈ তল খাপৰ আৰু গাৱঁলীয়া মানুহেহে কানি প্ৰভু জগন্নাথৰ ওচৰত আঁঠু লয়, কিন্তু বঙ্গদেশত হলে যাইকৈ ডাঙৰ আৰু মজলীয়া খাপৰ ভদ্ৰলোকসকলে, তাকৰীয়াকৈহে তল খাপৰ মানুহে সেই গুৰুঘৰত শৰণ লয়। আচল কথা কানি-অধিকাৰ-প্ৰভুৰ পদশিলা দুই দেশতে আছে। এখনত চৰণৰ চিনটো দকৈ, আনখনত চুৰ্চুৰীয়াকৈ বহিছে মাথোন। চল্লিশ পাৰ হলেই ভালেমান বঙালী বাবুৰ কানিৰ ভোক লগা দেখা যায়। বঙ্গদেশত বহুকাল বাস কৰি আদখিনি বঙালীৰ পঙ্কিতি পোৱা মহো চল্লিশ বছৰৰ মহলাত সম্ভ্ৰমৰ সৈতে উঠি এজন বঙালী শকুনি মোমাইৰ বুধি শুনি কানিৰ পাশতি হাতত ললোঁ। কিন্তু সুখৰ বিষয়, মোৰ নিজৰ বুধিটো যুধিষ্ঠিৰ ভাগিনত্তকৈ অলপ বেছি আছিল গুণে খেলত এপদ দুপদকৈ মোৰ নিজা নামলাকটু বই-বস্তু দুই চাইটা হাৰোতেই মই সাৱধান হৈ পাশতি কেঁইডাল শকুনি মোমাইৰ মুখলৈ মাৰি দি উঠি আহিলোঁ। খেলত বহি থকা কালডোখৰত মোৰ কোন কেইটা অপকাৰ উপকাৰ হৈছিল তাক তোমাৰ আগত কওঁ শুনা। আগেয়ে মই বেছি বাচাল আছিলোঁ, এতিয়া মই মিতাভাষী হলোঁ। আগেয়ে মোৰ দৃষ্টি বহিৰ্মুখ আছিল, এতিয়া সি অন্তৰ্মুখ হ'ল। আগেয়ে মই চেলচেলীয়া পাতল আছিলোঁ, এতিয়া মই গধুৰ গহীন আৰু ধীৰ হলোঁ। আগেয়ে মোৰ কথাৰ চোটত মানুহে তথাৰথা দেখিছিল, এতিয়া লোকে মোৰ মুখৰ ওপৰতে মাতি গলেও, 'এঃ কোনেনো আকৌ ইয়াৰ কথাত মুখ বজায়' বুলি এলাহত একো নামাতি বহি শুনি.........................। আগেয়ে মই চট্‌ফট্‌-কৰে হাতৰ কাম তিনি-টিলিকতে কৰি শেষ কৰিছিলোঁ, এতিয়া মই ওৰে দিনটোত এটা সৰু কাম সমাধা কৰিবলৈ আহৰি উলিয়াব নোৱাৰি ব্যস্ত হৈ ৰ লাগি বহি থাকোঁ। আগৰ মোৰ হাঁহি-মাতৰ ভৰা গৌতত ডকাই খলকনি-লগাই আছিল, এতিয়া আত গুকান চাপৰি পৰি তাৰ ওপৰত নল খাগৰি গজিল। ইয়াৰ ওপৰত আৰু এটা স্বভাৱে মোৰ গাত বাহ ললে। লোকে যিহকে কওক, তেওঁৰ কথাত মই প্ৰতিবাদ কৰিবলৈ এৰিলোঁ। লোকৰ কথাৰ প্ৰতিবাদ কৰাটো এতিয়া মোৰ মনত সময়ৰ অনাৱশ্যকীয় অপব্যৱহাৰ যেন লাগিবলৈ ধৰিলে। মোৰ মনত হ'ল, যে এই দীঘে বানিয়ে দীঘল বহল পৃথিৱীত কত মানুহে গঁচাই মিছাই কত কথা কৈছে, কণী ভগা যৰ শালিকাই চেকচেকাই থকাদি কত চেক্‌চেকাই আছে, সেইবোৰৰ প্ৰতিবাদ কৰি থাকিবলৈ গৈ মোৰ বহুমূলীয়া সময়ফেৰা নষ্ট কৰাতকৈ বৰং সেইখিনি সময়ত চকু মুদি বা মেলি বিশ্বব্ৰহ্মাণ্ডৰ সাৰ কানি সৃষ্টি কৰ্ত্তাজনৰ অপাৰ মহিমা অনুভৱ কৰি থাকিলে কাম দেখে। এই মত অনুসৰি চলি শেহত মই এনেকুৱা হলোঁ যে লোকে কোনো কথা কলে তাক নহয় বুলিবকে নোৱাৰা হলোঁ। মূৰ দুপিয়াই বা মুখেৰে হয় বা হঁ বুলি মই গা সৰাত পৰিলোঁ। এই অদ্ভুত অৱস্থাৰ বাবে মই অনেক ঠাইত ঠেকা খাইছিলোঁ, তাৰে যাই এটাৰ বিষয়ে আজি মই তোমাক কওঁ বুলি আহিছো।

কলিকতাত মোৰ চিনাকি বঙালী বন্ধুৰ লেখ, সৰহ নহয়; এক, দুই, তিনি কুট (।)। তাৰে এজনৰ নাম বিজয়চন্দ্ৰ ৰায়। তেওঁ জীয়েকৰ বিয়া পাতিলে আৰু তালৈ তেওঁৰ অনেক কুটুম বন্ধু-বান্ধৱে সৈতে মোকো নিমন্ত্ৰণ কৰিলে। বিয়াৰ সভাত বহি আছোঁ। দৰা-কন্যাই সপ্তপদী গমন কৰিছে। এই সময়তে দুজন চাৰিজন মানুহৰ সৈতে মোৰ অলপ-অচৰপ আলাপ পৰিচয় ঘটিল। এইদৰে চিনাকি হোৱা মানুহৰ ভিতৰত এজনে মোৰ সৈতে আলাপ কৰিবলৈ অলপ সৰহকৈ আগ্ৰহ প্ৰকাশ কৰা দেখিলোঁ। এনেই মৰ ভয়াতুৰ মানুহ, তাতে এই পত্তি; মই চঁক খাই গলোঁ। সেই মানুহজনৰ নাম শশীভূষণ মল্লিক। বিজয় বাবুয়ে এখেত অমুক বকন্তা বুলি তেওঁৰ কাললৈ মোক আগবঢ়াই দিবলৈহে পালে, শশী বাবুয়ে টপৰাই মাত লগালে—'আমি বৰুৱাদেৰ খুব জানি; বিশেষৰূপে জানি; আমাকে কিছুই বলতে হবেনা। এঁৰা কায়স্থ, বড়লোক, আসাম দেশের

জমিদাৰ। এঁৰ দাদাৰ সঙ্গে বোধ হচ্ছে আমি এক ক্লাছে প্ৰেচিডেন্সি কলেজে পড়েছিলাম। তাঁৰ নামটা আমাৰ স্মৰণ হচ্ছে না, কি বড়ুয়া। তিনি অতি সজ্জন লোক ছিলেন; ক্লাছে কাৰো সঙ্গে একটি কথাও বলতেন না, চুপ কোৰে এক কোণে বোসে থাকতেন। আমৰা সব বকাটে ছেলে তাঁকে ভাল মানুষ পেয়ে খুব ক্ষেপাতুম। আনন্দ বড়ুয়া এদেৰই ফেমিলিৰ।'

শশীবাবুৱে এনে সব্ সব্ কৰে ৩৮ কথা কেইষাৰ কৈ গল যে মই যদিও দেখিছিলোঁ যে তেওঁৰ দুটা এটা কথাৰ বাহিৰে সৰহখিনি কথা মোৰ গাত নাখাটে, তথাপি তেওঁৰ কথাৰ প্ৰতিবাদ কৰিবৰ মোৰ ইচ্ছা বা সাহ নহল; কাৰণ কানি মহাপ্ৰভুৰ কৃপাত সেই স্বভাৱে সৈতে ভালেমান দিন মোৰ এবা এৰি ঘটিল। তাৰ উপৰি তেওঁ কথাবিলাক ইমান ডাঠকৈ কৈ গৈছিল যে মই নহয় বুলিলে বেচেৰা লাজত পৰি ক্ষুণ্ণ হব বুলি মোৰ শঙ্কা হল। সি যি হওক, আৰু সৰহকৈ গোলমালত নপৰিবলৈ, মই তেওঁৰ হাতৰ পৰা কেতিয়া সাৰোঁ কেতিয়া সাৰোঁ দেখিলো। এনেতে কন্যাৰবীয়া মানুহে আমাৰ ফালে চাই মাত লগালে, 'জলপান খাবলৈ গা তোলক।' ভাবিলোঁ, ৰক্ষা পৰিলো, এই দুজনৰ হাতৰ পৰা এতিয়া সাৰিব পাৰিম; কিন্তু 'অদৃষ্টৰ ফল, কে খণ্ডাবে বল?' ময়ো উঠিলো, আৰু শশীবাবুৱেও মাত লগালে,—'বড়ুয়া মশায়, চলুন, কায়স্থদেৰ ঘৰ এইদিকে, কাছাকাছি একসঙ্গে বসা যাবে এখন।' এশটা মুকলি চকুৰ আগতে মোক ঘলেৰে কায়স্থ পাতি শশীবাবুৱে তেওঁৰ কাষৰত বহুৱালে, মোৰ কিন্তু প্ৰতিবাদ স্বৰূপে একেষাৰ কথা কবৰ সাহ নহল। শশীবাবু নিয়তিয়ে মোক যেনিয়েই টানি নিছে মই তেনিয়েই যাব লাগিছোঁ, তাত প্ৰতিবন্ধকতাচৰণ কৰিবৰ সাধ্য মোৰ হোৱা নাই। বিজয়বাবুৱে মোক কিন্তু সদায় বামুণ বুলি জানিছিল। আজি শশীবাবুৰ বক্তৃতা শুনি তেওঁৰ মনত সন্দেহই হল নেকি কব নোৱাৰোঁ, মই কায়স্থৰ শাৰীত বহা দেখি তেওঁ অলপ আচৰিত হৈ মোৰ ফালে চালে, কিন্তু একো নামাতিলে। আমাৰ খোৱা হৈ যোৱাৰ পিচত মই ঘৰলৈ আহিবলৈ কাৰবাৰ কৰিছোঁ, এনেতে শশীবাবুৱে মোৰ কাষ চাপি আহি মোৰ কাণে কাণে ফুচ্ফুচাই সুধিলে, 'বড়ুয়া মশায়, আপনাৰ এখানে থাকা হয় কোথায়?' মই উত্তৰ দিলোঁ, '৫৩ নং বাহ্বাৰাম অক্ৰুৰৰ গলি।' তেওঁ কলে 'এতো আমাৰ বাড়ীৰ কাছেই, ভাল হলো, ৰোজ দেখা শুনা হবে এখন।' মই অগত্যা ভদ্ৰতা ৰক্ষা কৰিবৰ নিমিত্তে কলোঁ, 'নিশ্চয়, নিশ্চয়, বৰ সুখৰ কথা। আপোনাৰ ভৰিৰ ধূলি মোৰ ঘৰত পৰিলে মোৰ ঘৰ পৱিত্ৰ হব।' তেওঁ উত্তৰ দিলে, 'ৰি লক্ষণ।'

ইয়াৰ পিচত এদিন ৰাতিপুৱা আঠমান বজাত শশীবাবু আহি মোৰ ঘৰাত উপস্থিত। তেওঁক দেখি যে মোৰ মনত আছকালৰ ভাৱটো উপজিছিল, মই কি কম। কিন্তু সেইটো কোনো মতে মই ঢাকি, আন্তব্যস্তকৈ তেওঁক বহুৱালোঁ, তামোল ধপাত খাবলৈ দিলোঁ, আৰু কটি চাহ খুৱাই আলহী শুধিলেঁ।। সঁচা কথা কবলৈ গলে, বাস্তবিক পক্ষত, তেওঁ উপযাচি ইমানকৈ মোৰে সৈতে ভাব কৰাটো মোৰ সমূলি ভাল নালাগিছিল। কিন্তু কি কৰিম, অদৃষ্টই মোক নাকী ধৰি যেনিয়েই মন যায় তেনিয়েই টানি নিব লাগিছে আৰু মই যাব লাগিছোঁ। নানা কথা আৰু আলাপৰ পিচত তেওঁ মোক সুধিলে, 'আপনাৰ পৰিবাৰ এইখানে না দেশে?' মই কি কম একো ভাবি নাপাই উত্তৰ দিলো 'দেশত।' তেওঁ কলে 'এখানে আনান, এখানে আনান। একলা কেন কষ্ট পাচ্ছেন!' মই মিহিকৈ মাত লগালোঁ, 'এবা অনাব লাগিব।' অৱশ্যে মই বঙলা ভাষাতেই এই উত্তৰ দিছিলোঁ; মাথোন আপোনাৰ আগতহে তাক অসমীয়াকৈ কৈছোঁ। সেই দিনৰ সেই ছোৱা সেইখিনিতে শেষ হল। মই ভাবিলোঁ, কলা ডাৱৰ ইমানতে উৰি গল, আৰু বতৰ ফৰকাল হল।' কিন্তু অ' হৰি! ইয়াৰ পিচত দেখোন বৰটোপীয়া বৰষুণ। তিনি দিনৰ পিচত, শশীবাবু আকৌ মোৰ ঘৰত ওলালহি। তেওঁক দেখি মোৰ চুলিৰ আগে ধাতু যোৱা যেন লাগিল, আৰু গাত জ্বৰ উঠিল। কিন্তু কি কৰা যায়! চাহপানী ধপাত আদিৰে আকৌ তেওঁক আগৰ দৰে শোধ-পোছ কৰিলোঁ। এইবিধ লঘু আহাৰৰ পিচত, তেওঁ আগৰ দিনৰ সেই কথা গুৰুতৰকৈ আকৌ আউটি উলিয়ালে; আৰু মোৰ মুখ শুকাই টোটোৰা পৰি গল। 'দেখুন আমি আমাৰ পৰিবাৰকে সেদিন বাড়ী গিয়ে বলেছিলাম যে বড়ুয়া মশায়ও শীঘ্ৰেই এখানে তাৰ পৰিবাৰ নিয়ে আসছেন। খপৰটা শুনে গিন্নীৰ তো ভাৰী আহ্লাদ, বল্লেন বেশতো শীগ্‌গিৰ আনতে বলো। তাহলে আমাদেৰ বেড়াতে যাবাৰ একটা জায়গা হবে। গিন্নী জিজ্ঞেস কৰলেন, বড়ুয়া মশায়েৰ ছেলেপিলে কয়টি? আমি কিন্তু কথাটাৰ জবাব দিতে পাৰলুম না বোলে, গিন্নী আমাৰ উপৰ মস্ত অখী কৰলেন। বল্লেন, তোমাদেৰ বন্ধুটা বেশ যাহোক, ছেলেপিলেৰ কথাই জিজ্ঞেস কৰতে ভুলে যাও!

কথাই বিষম ফালে চাল লোৱা দেখি মই সেই কথাৰ সমিধান নিদি দেশৰ হুলস্থূলৰ বিষয়ে কথা উলিয়াই তাৰ ওপৰত ঢাকোন দিলোঁ। মোৰ বুধিটো যে একেবাৰেই নাখাটিল এনে নহয়; কিন্তু শশীবাবুৰ একেয়া জঁৰ, সেই বিষয়ে নানা কথা-বাৰ্ত্তাৰ পিছত, তেওঁৰ মুখত, আকৌ সেই আগৰ বোল

ওলাল। মইও সতর্ক হৈ আছিলোঁ, গতিকে তত্তা-লিকে আকৌ অতিচাৰী দলৰ (Extremist) ধৰ-মুৰীয়া পালবাবুৰ কথাৰ সাফৰটো মেলি দিলোঁ। বাবুৰ নাম নকলো জানিবা ফেটীসাপৰ নেগুৰতহে খচকা মাৰি দিলোঁ। পালৰ পোৰ নাম শুনিয়েই শশীবাবুৱে মোৰ ছোৱা পাহৰি সেই ছোৱাত ধৰিলে। শশীবাবুৰ গাত সেইফেৰা বিন্ধা মই আগৰে পৰা লক্ষ্য কৰি থৈছিলোঁ, গতিকে, মোৰ বিষয়ে ওলোৱা কথাৰ জোলটো সেই সুৰুঙাত পেলাই দি বোৱাই বাহিৰলৈ উলিয়াই দিবলৈ আগৰে পৰা আলচি থৈছিলোঁ আৰু দিলোঁও, আৰু সেই বাটেদিয়েই পালৰ পোৰ কথাৰ জোল ভিতৰলৈ সুমাই আনিলোঁ। ৰঙা কাপোৰ দেখিলে ভতৰা বনিয়া হোৱাদি পালৰ কথা ওলালে শশীবাবু বলিয়া হয়। সি যি হওক, মেলত নথকা পালৰ ওপৰত এছোৱা ভালকৈ তেওঁ গজ্জি লৈ সেইদিনৰ নিমিত্তে মোৰ ঘৰৰ পৰা তপত হৈ উতলি ওলাই বাহিৰত পৰিল।

গাদিনমানৰ মূৰত আৰৌ এদিন মোৰ বহাত শশীবাবুৰ শুভাগমন হল। সেই দিনা তেওঁৰ ভাত ৰান্ধনি বামুণটোৰ হাতত দি এখাল সন্দেশ আৰু মতিচুৰৰ লাড়ু মোলৈ তেওঁ লৈ আহিছিল। আহিয়েই কলে,—"বড়ুয়া মশায়, গিন্নী স্বহস্তে এইগুলো খাবাৰ তৈৰী কৰে তোমাৰ জন্য পাঠিযে দিয়েছেন।" মই কলোঁ, "অশেষ ধন্যবাদ। মোৰ কৃতজ্ঞতা তেওঁক জনাব।"

"শশীবাবু। দেখ, তোমাদেৰ ইংৰেজীয়ানা গুলো ছাড়তে হচ্ছে। এতো 'ফৰ্মেলিটি' কেন ? আমি তোমাকে তুমি বলে 'এড্ৰেচ' কৰেছি, তোমাৰও আমাকে তুমি বলা উচিত। কিন্তু ভাই, আমি যে খাবাৰগুলো ভাৰ বযে এতো পৰিশ্ৰম কৰে আনলুম আমাকে খেক্কচ্ খেক্কচ্ কিচুইতো একটা দিলে না।" মই উত্তৰ দিলোঁ "আপোনাকো দিছোঁ, দুইজনেই বাঁটি লওক।"

"শশী।—আবাৰ আপনি ? ৰোগ সান্নিক দেখছি। দেখ ভাই বড়ুয়া মশায়, আমাৰ পৰিবাৰ সত্যি সত্যি ভাৰী ব্যস্ত হয়ে উঠেছেন তোমাৰ পৰিবাৰকে দেখবাৰ জন্য। শীগ্‌গিৰ আনাও। নাহলে বাপু আমাৰ আৰ সোয়াস্তি থাকছে না। তাকে আজ আৰ একখানা চিঠি লিখে দাও আসতে। লিখবে তো ?"

"মই নিৰুপায় হৈ উত্তৰ দিলোঁ, "দিম লেখি।"

শশী।—"আমাদেৰ বিষয়ও তাঁকে লিখো। আৰ বলো, তোমাৰ একটি গৰীব বন্ধু জুটেছে, সে আৰ তাঁৰ স্ত্ৰী তাকে শত সহস্ৰ নমস্কাৰ জানাচ্ছে, আৰ তাঁৰা তোমাৰ অপেক্ষায় পথ পানে চেয়ে আছে। দেখ বড়ুয়া, তুমি আমাৰ চেয়ে বয়সে বড়, তোমাকে বাৰ বাৰ বড়ুয়া মশায় আৰ বলা চলে না। তোমাকে দাদা বলবো, আৰ তাঁকে বৌদিদি বলবো। বৌদিদিৰ নামটা কি দাদা ?"

মই কি উত্তৰ দিম ভাবি নাপাই থিয়োৰত পৰি নামাতি থলোঁ। তেওঁ মোৰ উত্তৰ নাপাই আকৌ সুধিলে—"বলনা ভাই বলতে লজ্জা কি ? তোমাৰ লজ্জা দেখে মৰে যায় আৰ কি। মেয়ে মানুষেৰও বেশি।"

"মই ভাবিবলৈ নহল, চিন্তিবলৈ নহল, দুটা সৰস্বতীৰ উচতনিত হবলা, মিছাকৈয়ে সাজি কৈ দিলোঁ—'ভুৰুকী।' তেওঁ টপৰ কৰে কথামাৰ মোৰ মুখতে ধৰি কলে, 'ভুৰ্কী ? বেশ নামটিতো। দেখ দাদা তুমি যখন বাড়ীতে চিঠি পত্ৰ লিখবে ভুৰ্কী বৌ-ঠাকুৰুণকে আমাৰ প্ৰণাম দিও।' মই দিম বুলি কৈ কোনোমতে গা সাৰি সেই দিনৰ নিমিত্তে ৰক্ষা পৰিলোঁ।

ইয়াৰ পিচত শশীবাবু প্ৰায়েই মোৰ বহালৈ আহি 'ভুৰ্কী বৌঠাকুৰুণৰ' 'ভুৰ্কী বৌদিদিৰ' খাতিৰ সোধে, আৰু আমাৰ ঘৰৰ নানা খবৰ সুধি মোক ব্যতিব্যস্ত কৰে। মই তেওঁৰ এইবিধ দৌৰাত্ম্যৰ হাত কোনো মতে এৰাব নোৱাৰি 'ত্ৰাহি মধুসূদন' কৰিবলৈ ধৰিলোঁ।

ইমানতে ভাণ্ডি কোৱাৰ সকাম পৰিছে, কিয় মই শশীবাবুৰ আদৰ চেনেহ আৰু বন্ধুৰক দৌৰাত্ম্য বুলি ভাবিছিলোঁ। সঁচা কথা কবলৈ গলে, শশীবাবু যে এজন বৰ সাদৰী, সৰল আৰু পৰোপকাৰী মানুহ তাৰ ভুল নাই, আৰু সেইটো মই যে নুবুজিছিলোঁ এনেও নহয়। তেওঁৰ সৰল মনক নিৰ্ম্মল বন্ধুভাৱ প্ৰবল ভাবে ব্যগ্ৰ কৰি তুলিছিল, কাৰণ তেওঁৰ পকিতিয়েই তেনে। তেওঁৰ আদৰ-সাদৰক সেওচি তেওঁক আপদ যেন দেখাটো যে মোৰ পক্ষে সজ কাম হৈছিল এনে নহয়। কিন্তু মই কৰোঁ কি ? বাউ কলৈ ? অদৃষ্টৰ পাকচক্ৰত পৰি ঘূৰি মই পেপুৱা লাগিলোঁ। প্ৰথম কথা মই বৰলা মানুহ, খিৰাৰ সৈতে মোৰ সতিনীৰ থাঁহ বুলিলেই হয়। মই খিয়া কৰোৱা বুলি শশীবাবুৱে জবৰ্দ্দস্তি কৰি ধৰিলে। সেই বিষয়ে মোক ইমানবিলাক কথা কৈ কাবু কৰি পেলালে যে মই লৰচৰ কৰিব নোৱাৰা হলোঁ। লোকৰ কথাত নহয় বোলা স্বভাৱে মোক কিছুদিনৰ আগৰে পৰাই এৰি থৈছিল বুলি কৈ আহিছোঁ। লোকৰ কথাত "কণ্ঠাদিকই" কৰা সহজটো মোৰ গাৰ পৰা আঁতৰ হোৱা বিষয়ত যে কাজিৰ কোনো হাত নাই থামাথা এনে বুলিবও নোৱাৰো। দ্বিতীয়তঃ, মই ভাবিলোঁ যে শশীবাবুৱে

কথাত হুঁ-হুঁ কৈ শলাগি গলেই তাৰ ওৰ গোনকালে পৰিব আৰু মই কন্তেকতে পাখি কটালি ভৰ্জ্জৰীয়া দি উৰিব বা উঠিব ; কিন্তু নহয় বুলিলে, তেওঁ কুকৰি কুকৰি আৰু অনেক কথা সুধি মোক আমনি কৰি মাৰিব। কোনে জানিব যে মোৰ হিচাপৰ কল ওলোটা হৈ ওলাব। তৃতীয়তঃ, আৰু এটা ভয়ে মোক কোবাই চৰিয়াই শশীবাবুৰ কথা মনাই লৈছিল। বঙ্গদেশত বঙালীৰ মাজত আৰিয়ৈ বয়সিয়াল মানুহ নাই বুলিলেই হয় ; আৰু হাজাৰৰ ভিতৰত এটা দুটা থাকিলেও সি 'হংস মধ্যে বকো যথা' হয়। বঙালীয়ে মনত একৰকম ধাৰণাই কৰিব লোৱাবে যে সবহ বয়সলৈকে বিয়া নক-ৰোৱাকৈ কোনো মানুহ ভালে থাকিব পাৰে। তেনে মানুহক তেওঁলোকে চোতাৰ চকুৰে চায় ; আৰু সেইজন সম্পৰ্কে নানা দুৰ্ভাবনাই তেওঁলোকৰ মনত উথলমাথল লগায়। সবহ নকওঁ, তেনেকুৱা মানুহক শিভাৰ বুলি তেওঁলোকে পতিয়াব লোৱাবে। এইবোৰ কাৰণত মই শশীবাবুৰ কথা শলাগি হোঁ হোঁ কৈ গৈ, ৮০ নম্বৰ সুতা উখাত পাক খোৱাদি পাক খাই পৰিলোঁ। মই শিৰকুটা বামুণৰ ঘৰৰ লৰা অথচ শশীবাবুৱে মোক কায়স্থ বুলি ধৰি ললে। মোৰ উপাধিও বৰুৱা যেতিয়া, তেওঁৰ হিচাপমতে মযো কায়স্থ। মই ভাবিলোঁ, তেওঁক এবকলা উত্তৰ দি তেওঁক তেওঁৰ ভুল বুজাবলৈ যোৱাতকৈ তেওঁৰ কথাটো শলাগি যোৱাই উজু ; আৰু বিশেষতঃ তেওঁৰ লৈতে মোৰ ক্ষন্তেকলৈ দেখা, ইয়াৰ পিচত কোন গছৰ পখী কলৈ উৰি যায় কোনে কাৰ ভু লয় ? কিন্তু মোৰ গাললৈ চোৱাই অহা দৈবৰ সোঁ হাতটোত খামোচ মাৰি ধৰি মই নিশ্চিত হৈছিলোঁ, কিন্তু লেবেৰা হাতটোও যে সোঁ হাতৰ নিচিনাকৈ সমানে চলে, সেইটো মই নাজানিছিলোঁ। গতিকে মোৰ গালৰ এই দুৰ্গতি। চতুৰ্থত, তেওঁ মোৰ ককায়ে লৈতে কোনো কালে প্ৰেচিডেন্সি কলেজত পঢ়া নাই। অৱশ্যে তেওঁৰ নিচিনা মানুহে যে মিছাকৈ সেই আখাৰ কথা কলে এনে নহয় ; তেওঁ নিশ্চয় কোনো অসমীয়া লৰাৰ লৈতে সেই কলেজত পঢ়িছিল আৰু সেই অসমীয়াজনৰ নামৰ পিচত বৰুৱা উপাধি নিশ্চয় লাগি আছিল। কিন্তু শশী-বাবুৱে এতিয়া যে ভুল কৰিছে সেইটোও নিশ্চয়, কাৰণ প্ৰকৃতপক্ষে কোনো কালে মোৰ কোনো ককাই নাছিল ; আৰু মই মোৰ বোপাইৰ মাথোন একেটা পো। আনন্দৰাম বৰুৱা বঙ্গদেশত নামজলা পুৰুষ আছিল ; গতিকে বঙালীয়ে কোনো অসমীয়া মানুহৰ আগত বৰুৱা উপাধি দেখিলেই ভুলকৈ তেওঁৰে লৈতে একেডাল দোলেৰে সেইজনক গাঁঠেবে।

ইত্যাদি কাৰণত মই শশীবাবুক মাথ দেখাদি দেখিছিলোঁ। তেওঁৰ ব্যৱহাৰ মোৰ প্ৰতি সৰল আছিল, আৰু কোনো বেয়া মতলবত তেওঁ যে ওপৰ-পৰা হৈ মোৰে লৈতে বন্ধুত্ব পাতিছিল এনে নহয়। তেওঁ ওখ শাৰীৰ ভাল মানুহ এইটো মই ন দি কব পাৰোঁ। কিন্তু হলে কি হব, তেওঁৰ ভুল কথাৰ শুৱিতে মই প্ৰতিবাদ নকৰি বা নহয় বুলি চকৰীৰ দৰে লেজাটো থাদ্ধি সোমালোঁ, আৰু এতিয়া কথা আহি ইমান গুৰুতৰত পৰিল যে, কেনেবাকৈ মই ধৰা পৰিম, এই ভয় আৰু লাজে মোক খুলি খুলি খাই মাৰিবলৈ ধৰিলে। মই নিৰুপায় হৈ ভাবি ভাবি শেহত এটা উপায় ঠিক কৰিলোঁ।

এদিন পুৱাই মোৰ লগুৱাটোৰ মুখে শশী-বাবুলৈ বাতৰি কৈ পঠিয়ালো, বিজুলী ডাকত ঘৰৰ পৰা বাতৰি আহিছে যে মোৰ পৰিবাৰ জহনিত পৰি মৰিল। ইয়াৰ দহ মিনিটমানৰ পিচতে শশী-বাবুৱে চকুলো টুকি হায়! হায়! কৈ মোৰ ওচৰ ওলালহি। মইও খৰ বেজাৰ দেখুৱাই চকুৰ লো টোকাৰ ছলেৰে মোৰ চকু দুটা মোহাৰি ৰঙা কৰিলো আৰু মাজে মাজে উস! উস! কৰি তেওঁৰ শোকৰ সমিধান দিবলৈ ধৰিলো। বেচেৰা শশীবাবু! তেওঁ অনেক বেজাৰ কৰিলে, অনেক কান্দিলে, আৰু মোক অনেক শান্তনা দিবৰ চেষ্টা কৰিলে। তেওঁৰ ঘৈণীয়েকেও বৰ বেজাৰ কৰি মোলৈ জনাই পঠিয়ালে। শশীবাবুৱে তেওঁৰ আন বন্ধু বান্ধৱৰ আগতো মোৰ এই দাৰুণ শোকৰ বাতৰি কৈ কেইবা দিনলৈকে বেজাৰ প্ৰকাশ কৰিছিল। এদিন মোৰ চিনাকি কোনো এজন অসমীয়া মানুহৰ লৈতে দৈবাৎ শশীবাবুৰ দেখা হোৱাত শশীবাবুৱে মোৰ এই বিপদৰ কথা তেওঁক কৈ বেজাৰ কৰিছিল। সেই অসমীয়া মানুহজনে মোক সদায় থিয়াৰ মুখ নেদেখা বৰলা বুলি জানিছিল দেখি, শশীবাবুৰ সেই মুৰ নাইকীয়া অথচ মুৰ কামোৰণিৰ নিচিনা কথা শুনি আচৰিত হৈ সেই কথা অসম্ভৱ বুলি শশীবাবুক কোৱাত শশীবাবুৱে প্ৰতিবাদ কৰোঁতাক উপলুঙা কৰি ফুতে উৰাই দিলে। অসমীয়াজনে গধূলি মোৰ ঘৰলৈ আহি সেই কথা মোক কোৱাত মই গহীনকৈ উত্তৰ দিলোঁ 'সেই বাবুজনৰ অলপ মুৰৰ গোলমাল আছে তেওঁ যিহকে পায় তাকে কয়।' উপস্থিত আপদৰ পৰা কাণে-কাণ-মাৰিহে কোনোমতে সম্প্ৰতি উদ্ধাৰ হৈ ভৱিষ্যত আপদৰ হাত সাৰিবলৈ, শেহত মই স্থান ত্যাগ কৰি শশী-গ্ৰহৰ হাত সৰাই শ্ৰেয় ভাবিলো। এদিন শশীবাবুক বিশ্বাসে কলো যে, মোৰ মন বৰ বেয়া হৈছে ; দিনচেৰেক ফুৰি আহিবৰ নিমিত্তে মই ব্ৰহ্মদেশলৈ যাব খুজিছোঁ, তেওঁ কি বোলে ? ফুৰিবলৈ গলে, মোৰ মনৰ শোক পাতলিব ভাবি তেওঁ কলে 'বেশ কথা, যাও, দিন কয়েকের জন্য একটু বেড়িয়ে এসো, তাতে শৰীৰ মন দুই ভাল থাকবে। কিন্তু ভাই বেশীদেৰী কাও, শৰীৰ ক্ষাকে

ভুলোনা। কেৱল থাক চিঠি লিখো। তোমাকে প্ৰাণেৰ সহিত ভাল বেসেছি, সেটা মনে থাকে যেন।' মইও শশীবাবুৰ সুৰেৰেই দুই চাৰি আষাৰ মনৰ আবেগ দেখুৱাই কথা কৈ মান দেশলৈ যাবলৈ বুলি জাহাজত উঠিলোঁ। কিন্তু কবলৈ লাজ লাগিছে, যে মই সেই দিনাৰ পৰা মোৰ খিয়ে এটা আখৰ বা কোনো বাতৰি শশীবাবুলৈ দিয়া নাই। মই নানা দেশ-দেশান্তৰ ঘূৰি ফুৰিছোঁ, কিন্তু শশীবাবুৰ গোঁজ খকা ঠাইৰ চাৰি থাপৰ কাষলৈকে নাযাওঁ! শশীবাবু যেনে ভাল মানুহ, আৰু উদাৰ আৰু সৰল অন্তঃকৰণৰ লোক, তেওঁৰে সৈতে মোৰ এনে ব্যৱহাৰ কৰাটো বৰ অন্যায়, এইটো মই ভালকৈ বুজিছোঁ। কিন্তু মই কৰো কি? অদৃষ্টই মোক জৰীৰে মেৰিয়াই লাটুম ঘূৰোৱাদি ঘূৰাব লাগিছে। মই কেনেবাকৈ তেওঁৰ আগত ধৰা পৰিলে চিৰকাললৈ অমানুহ হম, আৰু লাজত মৰি যাব লাগিব। কিন্তু এই ঘটনাৰ পৰা মোৰ এটা পৰম উপকাৰ হল। মই আৰু লোকৰ সকলো কথাতে হয় দিবলৈ এৰিলো আৰু মিছাৰ প্ৰতিবাদ কৰিবলৈ সাহ গোটালোঁ। ইয়াৰ উপৰিও মই এটা ডাঙৰ কাম কৰিলোঁ, সেইটো শুনিবা নে?" মই শুনিম বুলি কলত তেওঁ কলে, "সেইটো এই--নিমুৰা চোৰৰ নিচিনা কানিক, হত-চিৰী যোৱা কানিক, চুকতে থাকি বুকতে কামোৰ মৰা কানিক, গোঁসাইৰ শপত খাই একেবেলিয়েই এৰিলোঁ।" মই উত্তৰ দিলোঁ "ভাল কৰিলা।"

মাধৈমালতী

কাৰনো মনত খেলাব, যে আমাৰ পকাডাঢ়ীয়া ঋষিৰ নিচিনা গহীন গম্ভীৰ মুনচুপ নীলাম্বৰ শৰ্ম্মা ডাঙৰীয়া চেঙেলীয়া বয়সত, পচোৱা বতাহৰ আগে আগে উৰি ফুৰা ওভতগোৰে নচা আছিল? তেওঁৰ আজিকালি প্ৰশান্ত নিবাত নিষ্কম্প তৰুৰ নিচিনা মূৰ্ত্তি দেখিলে কোন মাইকীৰ পোৱে কব পাৰে, যে তেওঁ কেঁচা বয়সত দুষ্টালিৰ চোৰ ওপৰত খৰ মাৰি ফুৰা অঘাইটং আছিল? তেওঁৰ নিজৰ কাহিনী নিজে অনুগ্ৰহকৈ বৰ্ণনা নকৰাহেতেন কাৰো "আপুচিয়েৰৰ" সাধ্য নাই যে, তেওঁৰ আজিকালিৰ গাৰ চেচা ছালৰ তলত লুকাই থকা, সেই আগৰ কালৰ চেঙা তপত উদণ্ড ডেকা-সবাটোক ধৰা পেলায়।

জাৰকালি এদিন জুহালৰ ওচৰত বহি তেওঁৰে সৈতে জুই কুৱাই থাকোঁতে, জুইৰ ভাপ পাই তেওঁৰ সঁকৰটোৰ জাং গলি গলত তেওঁৰ শিতলীয়াৰ দুটা এটা ঘটনা মোৰ ওচৰত উদং হৈ পৰিল। তলত লিখা নীলমণি সেইবিলাক সেই কাৰ্যাম কল আৰু তেওঁৰ নিজৰ ভাষাতে আৰু লিখিলোঁ—

"সি আজি বহুদিনৰ কথা। তেতিয়া এই পৃথিৱী যোল সোতৰ বছৰ বয়সীয়া ডেকেৰী, গছ-গছনি ডেকা, চৰাই চিৰিকিতি কথকী, গ্ৰহ-গ্ৰ'হ চপলীয়াই ফুৰা, মতা বতিয়াল, তিৰুতা বাংধালী, লৰা জাঁপত ধৰৰ এঠাৰ চোপ, ছোৱালী বিয়া-সবাহৰ নামত জাউৰিয়ে জাউৰিয়ে খাৰিষাৰ ধৰমূণ; গৃহস্থৰ ঘৰ আমোদ উৎসৱেৰে চপ্‌চপীয়া, বন্ধু-বান্ধৱৰ মন ফৰকাল ভাৱেৰে নিকপটীয়া।"

মুনচুপ ডাঙৰীয়াৰ বৰ্ণনাৰ গঢ়টো দেখি মই আচৰিত হোৱা যেন পাই তেওঁ মাত লগালে।

"তুমি আচৰিত হবৰ কাৰণ একো নাই; কিয়নো মোৰ মনত তেতিয়া যেনে লাগিছিল তেনেকৈ বৰ্ণাইছোঁ। মোৰ নতুন মনৰ উলাহত গোটেইখন পৃথিৱীয়েই সেই কালত নতুন যেন লাগিছিল।

"আমাৰ ঘৰৰ ওচৰতে মাধৱ তৰণিৰ ঘৰ আছিল। তেওঁৰ গুৱিগছ ধোপোলা, পঁঠীয়া, টেঙুনা আৰু ফটা। তেওঁৰ বাপেক বিক্ৰমপুৰৰ বঙাল আৰু মাক অসমীয়া। অৰণ্যে দুই দেশৰ দুই জাত সংগ্ৰহ কৰি বিলাই অৰ্তালত সি একেটা হৈ কোন জাতত পৰিছিল গৈ সেইটো মোৰ বুজ নাছিল। কিন্তু লোকে বাপেকৰ জাতকুল অৰ্থাৎ তেলীয়া আৰু মাকৰ জাত পানীকেওঁট বুলি কৈছিল। কিন্তু লোকৰ কথা সঁচাই হওক বা মিছাই হওক সেই তেল-পানী মিহলি হৈ কি হৈছিল তাৰ উৱাদিহ মই সমূলি নাৰাখিছিলোঁ। অসমত তেওঁলোকৰ বসতিৰ বয়স কম-বেছি দেৰকুৰি বছৰ হৈছিল। বাপেক মৰি যোৱাৰ পিছত মাধৱেও অসমীয়া কলিতানী ছোৱালী এজনী বিয়া কৰাই আৰু আউনিআটা সত্ৰত শৰণ লৈ নাম-কথা শুনি চাৰি পোৱা অসমীয়াৰ শাৰীত উঠিছিল। বিয়াই-সবাহে মাধৱ তৰণিৰ ঘৈণীয়েকে আমোলানী-হঁতৰ সৈতে শাৰী পাতি বহিছিল আৰু সমানে মলা-চক বিচাৰিছিল আৰু সেই "শাৰীত" আপত্তি কৰিলে তৰণিয়নীয়েও সমানে মুখ জোকাৰি সেই আমোলানীহঁতক দুই চাৰি কথা শুনাই তৰণি হেৰুৱাই দিবলৈকো নাপাহৰিছিল। আৰু নুতনাৰই বা কিয়? আমোলানীহঁতৰ গিৰিয়েকহঁত তৰণি-য়নীৰ গিৰিয়েক তৰণিৰ ধৰুৱা নহয় নে? ধন ধাৰে লাগিল বুলিলেই, ধাৰত পেনু-পেন্ আমোলা ডাঙৰীয়াসকল টকাত দুপৰচাৰ পৰা এক অন্যানেকে বাহিত তৰণিয়নীৰ 'খাঁৰৰ ডাঙৰীয়া' মাধৱ তৰণিৰ পৰা ধন ধাৰে আনিবলগীয়াত নপৰেনে? সেই দেখিয়েই মাধৱ তৰণিৰ ঘৈণীয়েক নহিৰী তৰণি-য়নীয়ে দুপৰীয়া অবেলাৰ ধঁটা আগত লৈ চন পালেই টেকেলানী গায়নী আৰু পিতলানী আইহঁতৰ আগত গৰ্ব্বে কৈছিল যে, 'কপুৰকলী আমোলানীহঁতক ঢুকি

আগৰ কেইকোছা আনুকীৰ হাতত।' এইখিনিতে আৰু কবলৈ থাকী আছে যে মাধৱৰ বৈণীয়েকে খবআপি খৰা মানুহ লগত নোহোৱাকৈ এখোজো নাকাঢ়িছিল, তেহেলৈ তেওঁৰ ঘৰৰ সমুখৰ আলিটোৰ সিপাৰে থকা কাৰো ঘৰলৈ তেওঁ যাবলগীয়াই হওক, বা দূৰৈলৈ যাবলগীয়াই হওক।

"তৰণিয়ে ঈশ্বৰৰ ইচ্ছাত তিনিজনী ছোৱালী আৰু এটা লৰাৰ বাপেক হৈ বৈণীয়েকৰ হাতত, অলপ বা ডাঙৰ দোষতে 'আজি মাৰচায়েৰে' বুলি, সেই লৰা-ছোৱালীনখাৰ পিঠিত চকিয়াবলৈ অধিকাৰ প্ৰদান কৰিলে। কালক্ৰমত তৰণিৰ লৰা-ছোৱালী কেইটা ডাঙৰদীঘল হ'ল, আৰু ছোৱালী তিনিউ-জনী বিয়া দি উলিয়াই দিবৰ কাল পালেহি। তেওঁৰ তিনিউজনী ছোৱালী গঢ়িত আৰু গুৰুণী আছিল। সিহঁতক আজিকালি কোনো অগমীয়া ডেকা কবিয়ে লগ পোৱাহেঁতেন, সিহঁতৰ ৰূপ তেওঁৰ কবিতাৰ কিতাপত এছোৱা এইদৰে নিশ্চয় বৰ্ণনা নকৰি নোৱাৰিলেহেঁতেন—

গাটো গোণ বৰণীয়া ওঠ কোৱাভাতুৰীয়া,
দালিম-গুটীয়া সৰু দাঁত।
লোহোৱালোহোৰ হাত খৰচি নখকা মাত,
খামুচীয়া ককালৰ জাত॥
খৰম ভুৰীয়া ভৰি, কলা চুলি থাকে পৰি,
মেলি দিয়ে আঠুৰ তলত।
অমৰাগুটীয়া চকু, চেলাউৰি বেকা-মাকো,
কেকোজেকো নিতম্ব-ভৰত॥

"তৰণিৰ মনত বৰ আশা, তেওঁ যেন অগমীয়া ভাল মানুহৰ ঘৰৰ আমোনা তিনিটা লৰা গজ-গজীয়াকৈ তেওঁৰ তিনিটা জোঁৱাই কৰি লবলৈ পায়। এই ওখ আশা পূৰণ কৰিবৰ সপক্ষে তৰণিৰ গাঁঠিত ধন, ভঁৰালত ধান, বাৰীত তামোল-পাণ, গছত আম-কঠাল, গোহালিত গৰু আৰু খলিত খীৰতী ম'হ আছিল। আৰু এইখোৰৰ উপকৰ্মাকৈ কপালৰ ধন আৰু বুদ্ধিৰ সম্বল থাকিলেই কাৰ্য্য-সিদ্ধিৰ বাটত বিঘিনি নাথাকে। তেওঁ আউনী-আটিত শৰণ লবৰে পৰা তেওঁৰ আচাৰ ব্যৱহাৰ অগমীয়া নৈষ্ঠিক হিন্দুতকৈও একাঠি চৰিছিল; তেনেস্থলত এনে সুৰতাহ বৈ থাকোঁতেই, তেওঁ বদি পান তৰি তেওঁৰ মনৰ আশা তৰী ভাললৈকে এছোৱা উজাই লৈ যাব নোৱাৰে তেন্তে দায় কণা গোঁসাইৰ গাতহে, তেওঁৰ গাত নহয়।

"তৰণিয়ে জীয়েক-কুমকী হাতীৰে ভাল মানুহৰ লৰা-মখনা ধৰিবলৈ কত কাল পাতিছিল, কিন্তু পৰা নাছিল। তেওঁৰে পিচিনা এথাকেচেলুৱা বাতৰ কাবধাৰ তেওঁ জোঁৱাই কৰিবলৈ বিচাৰিলে পোৱাত বৰ আটক নাছিল, কিন্তু তেনেবোৰত আকৌ তেওঁৰ মন নাথাইছিল। তেওঁ গুৰুঘৰত মাত-কথা শুনি অসমীয়াবো অসমীয়া, ভকতীয়াবো ভকতীয়া হৈছিল। সৰহ নকওঁ, তেওঁ কোনো নিভাজ অসমীয়াৰে আচাৰ ব্যৱহাৰত অলপত অচৰপ লৰকৰুৰক দেখিলেই ঠাট্টা নকৰি নোৱাৰিছিল।—'আগৰ মধুপুৰীয়াই খৰি ধুই খাইছিল, এতিয়াৰ মধুপুৰীয়াই ভৰি ধুইও নাখায়,' এই ফকৰা চল পালেই তেওঁ মাতিছিল।

"মাধৱে এজন ডাঙৰ উকিলৰ তৰণি হৈ কাছাৰিত দৰ্খাস্ত লেখি, গুচৰীয়া পদকীয়াৰ গোচৰৰ 'তদ্বিৰ' কৰি উদাৰভাৱে দুপইচা উপাৰ্জন কৰিছিল, কিন্তু খৰচৰ বেলিকা তেওঁ সেই উদাৰ ভাৱক চকোৱাৰ আবত থৈ, আলহী গুধিবলৈ অনুদাৰ ভাৱক বাহিৰলৈ উলিয়াই দিছিল। আজিৰৰ সময়ত তেওঁৰ হাতৰ মুঠি মেল খাইছিল, তলুৱা খোৱোং হৈ পৰিছিল, কিন্তু খৰচ কৰিবৰ সময়ত তেওঁৰ আঙুলিৰ মাজৰ সুৰুঙাখোৰ মৰি পানী নগৰকা হৈছিল। এনেস্থলত তেওঁ যে ৰূপখান সাঁচি চহকী মানুহৰ শাৰীলৈ গাথাৰ তাৰ আটক কি? তেওঁৰ ধানৰ ভঁৰাল গুটিধান গছীধানেৰে ভৰা, গোহালি খীৰতী গাইৰে, আৰু বান্ধনিঘৰৰ মুধৰ পৰা জোবাদি বগাই উলিয়া ছালি খীৰতী ছাগলীৰে ভৰা আছিল। কিন্তু হলে কি হব, তেওঁ ইমান কটুকিনা কিপিণ আছিল যে কাকো এডাল কুটা, এটোপা গাখীৰ, এচিকটা বস্তু দিব নোৱাৰিছিল। বাৰীৰ ফল পকি যায়, বাদুলীয়ে খায়, কাউৰীয়ে খায়, আৰু বাকী থকাবোৰ তেওঁ বজাৰত বেচিবলৈ পঠিয়াই দিয়ে, আম কঠাল আদিৰ বেলিকাও তেওঁ সেই নজিৰ মতেই চলে। কিন্তু তেওঁ নিজ হাতে তুলি তাৰ এটা এডোখৰ কাকো দিব নোৱাৰিছিল। পৰক দি খৈ খাবলৈ তেওঁৰ পোৰ্বণীত বিধাতাই একেবাৰেই লেখিবলৈ পাহৰিছিল। এদিন এটা কেহেটা ঘটনাৰ কথা তোমাক কওঁ শুনা।

"মোৰ তিনি বছৰীয়া সৰু ভাইটো অনেক দিন জ্বৰত ভুগি শুকাই খেৰখনীডাল যেন হৈছিল। মুঠিয়ে মুঠিয়ে ধন ভাঙি লাড়ুৰে লাড়ুৰে দৰব খুৱাই দেউতা হায়ৰাণ হৈছে, তথাপি তাৰ নৰীয়া ভাল নহয়। এদিন বেজবৰুৱাই এটা দৰব দি কলে, 'এই বিধ দৰবেই মোৰ শেষ ব্যৱস্থা। এই দৰবত যদি ভাল নহয়, তেন্তে মই আৰু একো কৰিব নোৱাৰিম।' ছাগলীৰ গাখীৰৰ অনুপানেৰে তেওঁ ৰোগীক সেই দৰব খুৱাবলৈ কলে। দুৰ্ভাগ্যৰ গুণে আমাৰ ঘৰত ছাগলী পোহা দস্তৰ নাছিল, আৰু তৰণিৰ ঘৰৰ বাহিৰে ওচৰ-চুবুৰীয়া আন কাৰো ঘৰত ছাগলীৰ গাখীৰ নাছিল। তৰণিৰ পত্নি মোৰ আমাৰ আমকৈ জনা আছিল সেই সেই গাখীৰ মুঠুকি

আন ঠাইত ছাগলীৰ গাখীৰ খিচাৰিবলৈ ধৰিলোঁ। কিন্তু খনতে খিচাৰি চলখ কৰিলোঁ, তথাপি কৃতকাৰ্য্য হ'ব নোৱাৰিলোঁ। আমি নিৰুপায় হৈ শেহত অগত্যা তৰণিৰ ওচৰত ছাগলীৰ গাখীৰৰ অৰ্থে আবেদন কৰিলোঁ। কিন্তু কিপিণ যক্ষই এটোপা গাখীৰকে দিবলৈ মান্তি নহ'ল। দেউতা আৰু আই খিৰ্‌খিৰ, কোনোমতে ছাগলীৰ গাখীৰৰ দিহা হৈ নুঠে। কিন্তু খটাসুৰ মোৰ এটা বুধি ওলাল। আইক মই মনে মনে কলোঁ, 'আই তুমি চিন্তা নকৰিবা, মই ছাগলীৰ গাখীৰ আনিম কিন্তু দেউতাই যেন এই বিষয়ে একো গম নাপায়।' আয়ে মোৰ কথা শুনি যদিও পেটে পেটে সন্তোষ পালে তথাপি মোক সাৱধান নকৰি নাথাকিল, যে মই যেন আকৌ ছাগলীৰ গাখীৰৰ নিমিত্তে কাৰো সৈতে একো গোলমাল নলগাওঁ। মই আইক নিৰ্ভয় দি কলোঁ, 'কাৰো সৈতে একো নালাগে, তুমি চিন্তা নকৰিবা।

'সন্ধ্যা লাগি ভাগি ৰাতি আঠমান বাজিছে। তৰণিৰ ৰৰজনী জীয়েক মাৰৈমানতীয়ে আখলত সোমাই চৰুৰ তলত জুই লগাইছে। তৰণিয়ে বাহিৰৰ চোতালত বহি গুণগুণাই হাজাৰীবোমাৰ পদ এবো ফাঁকি বিস্তুৰীথাকৈ গাইছে। যৈণীয়েকে ৰৰ-ঘৰৰ শোৱাপাটীত লৰা শুওৱাৰ চেলুতে নিজেও এঘুমতি মাৰি লৈছে। এনেতে মই হাতত কঁঠাল-কুহীয়া বাটি এটা লৈ, ভৰিৰ গোবোৰাক মাটিৰ পৰা আঁতৰত ৰাখি আঙুলিৰ আগত ভৰ দি, হাতত সাৱে ভৰিত সাৱে সৈ, চুৰকৈ ছাগলীৰ গাখীৰ খীৰাই আনিবলৈ বুলি সাৱধ তৰণিৰ ছাগলীৰ ঘৰত সোমালোঁ। তৰণিৰ ছাগলীৰ ঘৰটো বান্ধনি ঘৰৰ মুখৰ পৰা চাৰি এখন বাটই ৰবা। বান্ধনি-ঘৰৰ মুখৰ বাৰখনেই তাৰো এফালৰ বাৰ। মই খীৰতী ছাগলী এজনীৰ ওচৰত লাহেকৈ বহি, গাখীৰ খীৰোৱাৰ পাতনি স্বৰূপে তাইৰ বাঁটত খুন্দা ধৰিলোঁ। এইখিনিতে কোৱা আৱশ্যক যে মোৰ কাৰ্য্যটোক একেবাৰেই চুৰিৰ পৰা এখোপ ওপৰলৈ তুলিবৰ মনেৰে মই পইচা চাৰিটা লৈ গৈছিলোঁ, আৰু তাক গাখীৰৰ বেচ স্বৰূপে সেই ছাগলীজনীৰ ওচৰত থৈ দিলোঁ। অৱশ্যে চাৰিচটা ইটা দি চাপৰ শোৱা-ছাগলীবাখনৰ চাৰি খুৰা ওখ কৰাদি এই চাৰিটা পইচাৰে মই মোৰ কাৰ্য্যটোক ওখ কৰিবলৈ গৈ কিমানদূৰ কৃত-কাৰ্য্য হৈছিলোঁ, আপুনি বুজিছে। মই তাৰ বিষয়ে একো নকওঁ।

"ইকৰাৰ ৰাৰখন যদিও গোবৰ-মাটিৰে লেপা, তথাপি সি বহুৰ চেৰেক পুৰণি বাবে ঠায়ে ঠায়ে তাৰ লেপ খহি সুৰুঙা ওলোৱা হৈ গৈছিল। সেই-দেখি [illegible], ছাগলীৰ চালিৰ পৰা আখলৰ ভিতৰলৈ মোৰ দৃষ্টি [illegible] গৈছিল। ইয়াৰ উপৰিও তাত জুইৰ পোহৰ আৰু মই থকা চালিৰ ভিতৰত এন্ধাৰ, গতিকে সেই বিষয়ত বান্ধনি-ঘৰী-যাতকৈ ছাগলীঘৰীয়াৰ সুবিধা বিস্তৰ।

"ছাগলীজনীৰ ওহাৰখন হাতৰ মুঠিৰে খুন্দিয়াই লৈ মই বাটিটো বাওঁহাতে তুলি লৈছোঁ, আৰু সোঁ হাতেৰে বাঁট এটাত ধৰি এচোচা কি দোচোচা মাৰিছোঁহে, এনেতে আখলৰ সোঁটালিৰ উত্তৰ ফালৰ ঝাৰত তিনিটা টোকৰ পৰা শুনিলোঁ। টোকৰ শুনি মই দুগ্ধদোহন কাৰ্য্য স্থগিত ৰাখি, তাৰ মানেটো উলিয়াবৰ নিমিত্তে চকু কাণ থিয় কৰি আৰু সৰ্ব্বাঙ্গ শৰীৰটোক মনৰ ভাপেৰে ভাজকৈ উথুৱা এখন ডাঙৰ কাণ কৰি পেলালোঁ। মই এইদৰে টোপা দি আছোঁ, তোৱালীজনীয়ে টোকৰ কেইটা শুনি চৰিয়াত চুৱা হাত ধুই, লাহেকৈ উঠি আখলৰ পৰা ওলাই পাছ ফালৰ চোতাল পালেগৈ। দৈৱ দুৰ্বিপাকত, ঠিক এনে সময়তে 'ৰৰআইটা অ'। ৰৰআইটা অ।' বুলি তৰণি বান্ধনি ঘৰৰ ফালে আহিল। কিন্তু ৰৰআইটাৰ উত্তৰ নাপাই তেওঁ আখলৰ ভিতৰলৈ সোমাই গল। সি দেখিলে, ভাত-চৰুৰ তলত জুই জ্বলি আছে, অথচ ৰৰআইটা তাত নাই। মোৰ দুৰ্দ্দশাৰ ফেৰত তাৰ পিচত তেওঁ আখলৰ সোঁটালিৰ পৰা ওলাই আহি ছাগলীঘৰৰ বাষ পালেহি। তেওঁ সেই ফাললৈ আহিলতে, মোৰ ওপৰত অনধিকাৰ প্ৰৱেশ আৰু চুৰিৰ অভিযোগ দিবৰ মনেই নেকি, সেই ঘৰৰ 'বাসিন্দা' আন এজনী ছাগলী হঠাৎ দুপ্‌দুপাই উঠিল। কিয় ছাগলীজনীয়ে দুপ্‌দুপাইছে বুলি তৰণি ছাগলীৰ ঘৰত সোমাল। আৰু 'ক'ৰ পিচত 'খ' অহাদি মই ধৰা পৰিলোঁ। মোক দেখিয়েই তৰণিয়ে 'চোৰ ঔ!' বুলি বিং মাৰি দিলে, আৰু চোচা মাৰি আহি খপ্‌কৰে মোৰ হাতত ধৰিলে। তাৰ পিছত মোক টানি বাহিৰলৈ আনি যৈণীয়েকক লৰি চাকিটো লৈ আহিবলৈ মাতিলে। চাকি হাতত লৈ যৈণীয়েক লৰি আহিল। লৰালৰিৰ বেগত তেওঁৰ গাৰ বিহা-খনৰ আধখিনিয়ে মাটি সাৰি আনিলে, আৰু মেঘমুক্ত শশধৰৰ নিচিনা মই চাকিৰ পোহৰত প্ৰকাশিত হৈ পৰিলোঁ। তৰণিয়ে মোক দেখি চিনি পায়েই হাঁঃ! হাঁঃ! হাঁঃ! কৈ যে বিকট হাঁহিটো হাঁহিলে, তাক মই কি কম। ময়ৰ উলাহেৰে তেওঁ মাত লগালে,— 'বোলোঁ এইবোৰ কেনে কথা? ভাল মানুহৰ ঘৰৰ লৰা হৈ চোৰৰ পকিতি কিয়? দেখা-শুনাকৈ খুজি-বাচি বিয়া-বাৰু কৰাই দিলেই যেখোন হয়, চোৰাংকৈ চলিবৰ মকাম কি? মই এতিয়াই ধৰি থানালৈ পঠিয়াই দিলে কাৰ্য্য সাং। তোমাৰ দেউতা ভাঙৰীয়াৰে সৈতে আমাৰ ঘৰ মানুহৰ বহুত খাতিৰ-তুলীয়া। সেইদেখি অৱশ্যে মই তেনেকুৱা লোক-হাঁহিয়াতৰ কাম নকৰোঁ নিশ্চয়। কিন্তু গোসাঁইৰ [illegible]

লাগিব, বেকা বাটে চলিব নিদিওঁ।' তৰণিৰ এই কথা কেইষাৰ শুনি তেওঁ কি ভাবি কি কৈছে, সেইটো মোৰ মনত খিজুলী মৰা দি মাৰিলে, আৰু মই ঘটনাটোৰে কেনি পাক লৈছে বুজি পেলাই বৰ লাজ পালোঁ। মই যে তেওঁৰ ছাগলীৰ গাখীৰ চুৰ কৰিবলৈ আহিছিলোঁ, সেইটো তেওঁ নুবুজি নাভাবি, তেওঁৰ জীয়েকৰ লগতে গুপ্ত প্ৰণয়ৰ খেহা কৰিবলৈ আহিছিলোঁ, সেইটোহে বুজিলে আৰু ভাবিলে। মই তেওঁৰ কথাৰ গঢ়ত এইটোও ভালকৈ বুজিলোঁ যে তেওঁ মুখেৰে মোৰ ওপৰত খং দেখুৱালেও পেটে এই ভাবি সন্তোষ লভিছে যে ভাল মানুহৰ ঘৰৰ লৰা এটা অতদিনৰ মূৰত তেওঁ বৰশীত লগাবলৈ পালে, আৰু সম্ভৱতঃ মোক জোঁৱাই কৰিবলৈ পাব। এই কথা মনত খেলালতে, লাজ-অপমানে মোক খুন্দি আনিলে। কিন্তু মই কি উত্তৰ দিম, দোধোৰ-মোধোৰত পৰি ভাবি থাকোঁতেই দেখিলোঁ, বাপেকৰ পিঠিৰ ফালে তেওঁৰ জীয়েক মাধৈমালতী আহি থিয় দিছে আৰু মোৰ মুখৰ ফালে চাই অতি সকৰুণ ভাবে চাই বাপেকে দেখিবলৈ নোপোৱাকৈ এনেকৈ ঠাৰ দিছে যে মই যেন বাপেকৰ কথাৰ কোনো প্ৰতিবাদ নকৰোঁ। মই তত্তালিকে ছোৱালীজনীৰ মনোভাৱ বুজি হাততে পোৱা তাইৰ ইচ্ছাৰ বাটকে ধৰিলোঁ। বিশেষ, মই কৰিবলৈ অহা কাৰ্য্য-টিও যে কিবা ওপৰ খাপৰ আছিল এনে নহয়, বৰং তাতকৈ তৰণিয়ে ভৰাটো জগৰেই মোৰ মনত অলপ গৌৰৱৰ যেন লাগিল। সেইদেখি মোৰ গাত পৰা জগৰকে সাৰটি ধৰি গাত পাতি লৈ মাত লগালোঁ,—'মোৰ দোষ ক্ষমা কৰক। এই কথা আন কাকো নকৈ আপুনি মনে মনে থাকক, পোন বাটেও কাৰ্য্য অসম্ভৱ নহয়।' মোৰ কথা শুনি তৰণিয়ে মোৰ হাতটো এৰি দি কলে 'বাৰু বোৱা এই বাৰলৈ এৰি দিলোঁ, আৰু এনে কাম নকৰিবা।' কিন্তু তৰণিয়ে কথাষাৰ কোৱাৰ গঢ়ত বুজিলোঁ যে মই এই জগৰ দিনৌ কৰিলে তেওঁ আৰু সন্তোষ পাব।

"এই কথাৰ পিচত মই তৰণিৰ ঘৰৰ পৰা ওলাই দুৱাৰমুখ পাৰ হৈছোঁ মাথোন, এনেতে তেওঁ আকৌ মাত লগালে, 'বোপা শুনি যোৱাঁ। বৰ আহঁটা অ। সেই পগোৱা এৰাঁ। গাখীৰ যে আছিল, তাৰে এবাটি বোপাক দে, খাই যাওক।' মই 'আজিলৈ থাওক কাইলৈ আহি খাম' বুলি ' কৈ লৰালৰিকৈ গুচি গলোঁ।

"পিছদিনা তৰণিৰ জীয়েক মাধৈমালতীয়ে জলত দিয়া চিঠিখন লেখি সৰু ভায়েকটোৰ হাতত গোপনে মোলৈ পঠিয়াই দিলে।—

'ককাইদেউ,

আপুনি মোৰ শত সহস্ৰ সেৱা জানিব। আপুনি কালি মোক যিটো বিপদৰ পৰা ৰাখিলে, জীয়াই থাকো মানে মই আপোনাৰ ধাৰ শুজিব নোৱাৰোঁ। আজি মই আপোনাৰ আগত মোৰ মন খুলি সকলো কথা কম। আশাকৰোঁ আপুনি মোৰ দুখত সহানু-ভূতি কৰিব। মই আখলৰ পৰা ওলাই যাৰ মুখ চাবলৈ আৰু যাৰ মৌ সনা মাত শুনিবলৈ গৈছিলো, তেওঁ মোৰ প্ৰাণতকৈও অধিক। মই তেওঁৰ চৰণৰ দাসী। তেওঁত মই মোৰ মন প্ৰাণ যথা সৰ্ব্বস্ব সমৰ্পণ কৰিছোঁ। ঈশ্বৰে কৰিলে অচিৰতে মই তেওঁক পাম। কিন্তু দেউতাই তেওঁৰ নামকে শুনিব নোৱাৰে। কিয় জানে ? তেও দুখীয়া তেওঁ আমাৰে নিচিনা এধাকেচেলুৱা, তেওঁ ডাকঘৰত ডেৰকুৰি কপ দৰমহাত কেৰেণীৰ কাম কৰে। মোৰ দেউতাক জোঁৱাই কৰিবলৈ মুনচুপ সদৰামিনৰ ঘৰৰ লৰা লাগে, নহলে তেওঁৰ মন নুঠে। কিন্তু তেওঁৰ আশা যে আকাশ কুসুম সেইটো তেওঁৰ বুজিবৰ শকতি নাই। তেওঁ সমাজত নিজৰ ঠাই কত বুজিব নোৱাৰে। তেওঁৰ ভয়ত মই লুকাই চুৰকৈ এইদৰে চলিব লগীয়াত পৰিছোঁ। কিন্তু এই বাটৰ ওৰ যেগতে পৰিব, মোৰ বস্তু মই সোনকালে পাম। অৱশ্যে মোৰ কাৰ্য্যত দেউতাই শোক পাব, আৰু মোক অকৃতজ্ঞ বুলিব। কিন্তু মই নিৰুপায়। সি যি হওক, ঈশ্বৰৰ ইচ্ছাত যিটো হয়, তাক কোনেও খণ্ডাব নোৱাৰে। আপুনি নিজৰ গাত দায় লৈ কালি যেনেকৈ মোক সকাহালে, সেইটো আপোনাৰ বহল মনৰ আৰু পৰোপকাৰী অন্তঃকৰণৰ চিন। ঈশ্বৰে আপোনাৰ ভাল কৰক, তেওঁৰ অভয় চৰণত মোৰ এই প্ৰাৰ্থনা। আপুনি মোৰ এইবোৰ কথা নিজৰ পেটত ৰাখিব, কাকো নকব। মই আপোনাক বিশ্বাস কৰিব পাৰোঁ জানি বিশ্বাস কৰিলো। সৰুৰে পৰা দেখা শুনা হৈ আমি ডাঙৰ দীঘল হৈছোঁহঁক। আপোনাৰ ওখ মনৰ বিষয়ে আগৰে পৰা ভালকৈ জানো।

'কালি আপুনি কিয় আমাৰ ঘৰলৈ আহিছিল, সেইটো মোৰ বুজিবলৈ বাকী নাই। দেউতাৰ মন বৰ ঠেক। তেওঁৰ সৰু মনৰ কাৰ্য্যত আমি সদায় লাজ পাওঁহঁক। কিন্তু কি কৰোঁ। অৱশ্যে এটা কথা পাহৰিব নেলাগে যে এপুৰুষতে কোনো মানুহৰ মন একেবাৰেই ডাঙৰ হব নোৱাৰে, আৰু হলেও সি এশটাৰ ভিতৰত এটাৰহে। সেইবোৰ কথা আজি কৈ লাভ কি। মই ছাগলীৰ গাখীৰ দিনৌ দুইবেলা দেউতাই গম নোপোৱাকৈ আমাৰ ন-গৰাকী বাইৰ হাতত আপোনালৈ পঠিয়াই দিম। আপুনি গাখীৰৰ খেচ বুলি থৈ যোৱা পইচা চাইটা আৰু গাখীৰ লৈ যাবলৈ অনা বাটিটোও, মই পত্ৰবাহক মোৰ সৰু ভাইটোৰ হাতত পঠিয়ালোঁ। ইতি

আপোনাৰ ভনীয়েক
শ্ৰীমতী মাধৈমালতী।

"এই চিঠিখন পাই মই কি কৰিম কি নকৰিম, একোকে ঠিক কৰিব নোৱাৰিলোঁ। কিন্তু মাধৈ-মালতীয়ে মোৰ ওপৰত বিশ্বাস স্থাপন কৰি যিবোৰ কথা তাই লেখিছে, সেইবোৰ বিশ্বাস ভঙ্গুৰ কৰি কাকো নকওঁ, এইটো নিশ্চয় কৰিলোঁ।

"ইয়াৰ পিচত মাধৱ তৰণিয়ে মোক তেওঁৰ ঘৰত জলপান খাবলৈ মতাই পঠিয়াইছিল, কিন্তু মই এদিনো যোৱা নাছিলোঁ। আজি মূৰ কামোৰণি, কালি পেটৰ অসুখ, এনেবোৰ আলৌগাহ উলিয়াই মই সেই নিমন্ত্ৰণবোৰৰ পৰা গা সাৰি আছিলোঁ।

"ওপৰত কোৱা সেই ৰাতিৰ ঘটনা ঘটাৰ পৰা পঞ্চম দিনাৰ ৰাতিপুৱাই মাধৱ তৰণি কোপাই-জোপাই হাতত চিঠি এখন লৈ মোৰ দেউতাৰ ওচৰ ওলাই কলেহি, 'ডাঙৰীয়া! মোৰ সৰ্ব্বনাশ ঘটিল! মোৰ বৰজনী ছোৱালীক গল ৰাতি ডাকঘৰৰ খাবু এটাই পলুৱাই লৈ গল। মই কি কৰোঁ, ক'লৈ যাওঁ, বুধি এটা দিয়ক ডাঙৰীয়া।'

"দেউতাই তৰণিক বিশ্বাস দি কলে, 'তুমি ব্যস্ত নহবা, ছোৱালী ওলাব। যি হৈছে হৈছে, এতিয়া তাইক বিচাৰি-খোচাৰি আনিব লাগিব। ঘৰত বয়সীয়া ডাঙৰ ছোৱালী থিয়া নিদিয়াকৈ ৰাখি থলেই এনেবোৰ বিপদ হয়। ডাকঘৰৰ খাবুৱে নিলে বুলি তুমি কনেকৈ জানিলা?' তৰণিয়ে উত্তৰ দিলে—'এইখন চিঠি চাওক।' দেউতাই চিঠিখন হাতত লৈ পঢ়িলে—

'দেউতা,

'তুমি যি ভাবি যি কৰিবলৈ গৈছা সি সিদ্ধি নহয়। ভাল মানুহৰ নিৰ্দ্দোষী লৰাক তুমি সাঙুৰিব নোৱাৰা। মই সদায় যাক মনতে পতি বৰণ কৰি আছিছোঁ, তেওঁৰ লগতে মই এতিয়া যাবলৈ ওলালোঁ। দুখীয়া সনাতন হে, যাক তুমি দেখিবকে নোৱাৰা, মোৰ স্বামী। এই কথাৰ অন্যথা কোনেও কৰিব নোৱাৰে। তুমি যদি কেতিয়াবা মোৰ দোষ মৰ্ষণ কৰিব পাৰা, তেতিয়া মোৰে সৈতে দেখা হব, নতুবা এয়ে মোৰ শেষ বিদায় বুলি লবা।

তোমাৰ অপৰাধী জীয়েৰ
শ্ৰীমাধৈমালতী।"

"কটা, কটা, হাবুঙীয়া বামুণৰ ঘৰৰ লৰা, তাৰ জাত। হাবুঙীয়া বামুণৰ উৎপত্তিৰ খবৰ মোৰ আঙুলিৰ মূৰত, তাৰ জাত। সিদিনা মঙ্গলপটীত সি মতিবাবু উকিলৰ ঘৰত মঙ্গলৰ হোকাতে টাবোক্ টাবোক্ ধপাত মাৰি আছে, মই নিজ চকুৰেই দেখি অহা কথা, তাৰ জাত। মুদীপটীৰ ওচুমাম বেপাৰীৰ হিচাপৰ 'খাতাত' ভালকৈ বিচাৰিলে আজিও তাৰ নামে কালিয়নে বিস্কুট কিনাৰ হিচাপ ওলাব কিজানি তাৰ জাত। চাহাবাবুৰ মদৰ দোকানৰ হিচাপৰ কিতাপতো কিজানি বিচাৰিলে তাৰ নামে, ধাৰে মদ কিনি খোৱাৰ যেচ আজিও পৰি থকা পোৱা যাব, তাৰ জাত। কিবা যোলেমে হেৰিয়াৰ জাত। তাৰ নিজৰ গা থোকাৰে টেঙু-টেকীয়া অথচ সি লোকৰ গালে পানী চটিয়ায়, মোৰ লৰাটোৰ জাত গল, কুল গল বুলি সি বদনাম কৈ ফুৰে।"

মীনধৰ উকিলে ওপৰত কোৱাৰ দৰে গৰ্জ্জি থাকোঁতেই মই (মধুৰাম নেওগ) তেওঁৰ কাষত ওলালোঁগৈ। মই যোৱাৰ আগৰে পৰা তেওঁৰ কাষতে বহি "এৰা এৰা" "হয় হয়" "ঠিক কৈছে" কৈ মূৰ দুপিয়াই, বিয়াহ গোৱা ওজাৰ পালিয়ে ওজাৰ পদৰ পোষকতা কৰি তাল ধৰি থকাদি কেশৱ-ৰাম তৰণিয়ে তেওঁৰ গোজৰণিৰ পোষকতা কৰি তাল ধৰিব লাগিছে। মোক দেখি উকিল ডাঙৰীয়াই চলিত আদৰ-সম্ভাষণ বা আন কোনো কথা নকৈ ৰবং মোৰো মূৰৰ ভাপটো তেওঁৰ মূৰৰ ভাপেৰে সৈতে সমান কৰি লবৰ মনেৰেই হবলা আৰু টানকৈ আকৌ এজাউৰি গুজৰি ললে। উকিল ডাঙৰীয়াৰ গোজৰণিৰ মুকুজা বিচাৰি উলিয়াই লৈ, মই মিহিকৈ মাত লগালোঁ। "কি হল? আজি কাৰ ওপৰত নো ইমানটো খং কৰিছে? কোনেনো আপোনাৰ লৰাৰ জাত গল বুলি কলে?"

উকিল—"কোনে কলে? আৰু কোনে কব; যাৰ নিজৰ আগ-গুৰিৰ ঠিকনা নাই, যাৰ পৰৰ নিন্দা, পৰৰ চৰ্চ্চা, লোকৰ বাদ-কুবাদৰ আলচ কৰি থাকোঁতেই পৰমেশ্বৰে সদ্ব্যৱহাৰ কৰিবলৈ দিয়া দিন কেইটা অনাহক অপব্যৱহাৰত যায় সেই গোৰীয়াবোৰেই নিজৰ গোধা ভৰিখন উলুবনিৰ মাজত লুকাই থৈ লোকক গোধা বুলি হাস্য কৰিছে।" মই ভাবিলোঁ "কোননো সেইজন উলুৱা মহাপুৰুষ, নামটো শুনাই যাওকচোন?"

উকিল।—"নাম কবলৈ মই তেনে কথা মানুহ নহওঁ। পৰৰ বদনাম ৰটি ফুৰা মোৰ কোনো পুৰুষত স্বভাৱ নাই আৰু ৰটি চোৰৰ দৰে লুকলুক কথাও মোৰ স্বভাৱ নহয়। নামটো জানিব খুজিছা যদি, সেই হৰবিহৰী মোৱা জাতিৰাম শৰ্ম্মা [illegible]

জাতিৰামৰ জাত

মধুৰাম নেওগে এই আখ্যানটো লিখিবা মোৰ হাতত দৈছিল। মই তেওঁৰ মুখৰ পৰা "কথা [illegible]।"

ফৌজদাৰী চিৰস্তাদাৰৰ কামটো পাই ন-কৈ হোৱা জাতিবাম বৰুৱা। সি খনতে কৈ ফুৰিছে, বোলো মোৰ বৰ বোপাই কলিকতাত পঢ়িবলৈ গৈ বঙালী বামুণৰ হাতে ভাত খাই আহিছে, সন্ধ্যা নকৰে, সেইদেখি তাৰ জাত নাই। আৰু সেইদৰে কৈ ফুৰি, সদবামিনৰ জীয়েকে সৈতে পাতিব খোজা মোৰ লৰাৰ বিয়াখন সি ভাঙিবলৈ কাৰবাৰ কৰিছে।"

কুট ছাইৰ মাজৰ পৰা উলিওৱা পোৰা তপত আলুগুটিটো অলপ চেচা হ'বলৈ দিহে তাৰ ছাল খহলিয়াই মুখত সুমুৱা উচিত, নতুবা সি জিভা পুৰিব। ইয়াকে ভাবি, খঙৰ তপত ভাপটো ওলাই গৈ উকিলক চেচা হ'বলৈ অলপ সময় দি, কিছুমান পৰ টলকা মাৰি থাকি মাত লগালোঁ। "ডাঙৰীয়া মই বুজিব পাৰিছোঁ, আপোনাৰ খঙৰ মানেটো। আপোনাৰ খং উঠিব পায়। আপোনাৰ বৰলৰাটিয়ে কলিকতাত পঢ়িবলৈ বুলি থাকি, ভাত অৱশ্যে অপাৰগ পক্ষত বঙালী বাছনি বামুণৰ হাতে ভাত খাইছিল। সেইটো কোনো ব্ৰহ্মবধ বা গোবধৰ শাৰীৰ পাতক নহয়, আৰু স্বৰূপতে ক'বলৈ গলে সি কোনো পাতকেই নহয়। তাকে গপাই গপাই বৰটো কৰি আমাৰ 'নবো নবো পাৰিজাত, কুকুৰে ছুলে বাহী গাত' জাতিবাম ফৌজদাৰী চিৰস্তদাৰে আপোনাৰ পুতেকৰ জাত গল বুলি কৈ ফুৰিছে। কিয় যে এই ক্ষুদ্ৰ পাতকত আপোনাৰ লৰাৰ, জাতিবাম বৰুৱাৰ শাস্ত্ৰমতে, জাত গল তাক জাতিবাম বৰুৱাইহে জানে। মিছা কথা কলে, ভণ্ডামি কৰিলে, ফাকি-জুকি দি পৰৰ দাঁড়ি খালে, ভেঁটী খালে, আনকি অগম্যাগমন কৰিলেও, চিৰস্তাদাৰৰ শাৰীৰ লোকৰ জাত যোৱা দেখা নাযায়; কিন্তু বিদ্যাৰ্থী লৰাই বিদ্যা শিকিবলৈ গৈ বিদেশত বিদেশী বামুণৰ হাতে ভাত এমুঠি খাই লেখা-পঢ়া শিকিলেহে হেনো তাৰ জাতটো যায়। চকৰীৰ চুৰাত তেল দি লোৱা আৰু চকৰীৰ বেৰত বৰৰ আঠাৰে মেৰ লগাই লোৱা গাড়ীৰ দৰে চিৰস্তাদাৰ কোম্পানীৰ জাত কেৰ্-নেকেৰোৱাকৈ সুগুৰ কৰে তিনিউ প্ৰসঙ্গতে আছে আৰু যায়, কোনেও তাৰ গম নাপায়। কিন্তু আনৰ জাতৰ চকৰীৰ তলত দৈবাৎ ভগা শিলগুটি এটা পৰিলেই তেওঁলোকৰ মতে জাতে খুন্দা খাই শব্দ কৰি ভাগি চুৰ্চুৰৈ হয়। ডাঙৰীয়া! মানুহ যদি নিষ্কৰ্ম্মা হয়, আৰু তাৰ ওপৰত তাৰ স্বভাৱটো যদি চকু-পোৰা হয়, তেন্তে এই শাৰীৰ চৰ্চাই, কুটুকা গছত মখিনীয়ে বাহ লোৱা দি তাৰ গাত বাহ লয়। কিন্তু এটা কথা আজি মই ডাঙৰীয়াক কওঁ, মোৰ দায় দোষ নধৰিব। আমাৰ দেশৰ যাৰ অন্য মানুহৰ গাত এই দোষটো প্ৰবল। আৰু সেই শিবিকেই আমাৰ দেশখনে উদ্‌গতি কৰিব পৰা নাই। ডাঙৰীয়াই জানে মই খোলা কথাৰ মানুহ। আনৰ কথাকে নকওঁ, ডাঙৰীয়াইও চল পালে লোকৰ জাত কুল গোধ খুচৰিবলৈ নেৰে। এতিয়া নিজৰ গা পাইছেহি দেখি ডাঙৰীয়াই, লুইতৰ দৰে বঠাৰ কোব নিজৰ গাত কিমান দূৰলৈ বহিছে বুজিব পাৰিছে। পৰৰ নিন্দা কুৎসা বিচাৰি ফুৰা-জনক শাস্ত্ৰই খহু বিচাৰি ফুৰা নাখি নাম দিছে। অৱশ্যে মৌমাখি নহয়, গেবেকানিত ওপজা আৰু গেবেকানিত প্ৰতিপালিত হৈ ডাঙৰ দীঘল হোৱা সাধাৰণ মাখিহে। পৰৰ দোষ বিচৰাসকল সদায় নিজৰ দোষৰ ফালে চকু মুদা হয়। লোকৰ দোষ খুচৰি ফুৰোঁতেই তেওঁলোকৰ গোটেই সময় যায়, নিজৰ ফালে চকু দিবলৈ তেওঁলোকৰ আহৰি নহয়। এই বিধ মানুহৰ চকুত লোকৰ দোষ ডাঙৰটো হৈ পৰে; কিন্তু নিজৰ দোষ নপৰে, আৰু কোনোবা কাচিৎ ছুঁৱামৰাকৈ পৰিলেও 'বালি পৰিছ যদি পৰি যা, কুটা পৰিছ যদি উৰি যা' হয়। আৰু জাত! ক'বলৈ গলে, উকিল ডাঙৰীয়া! ভালেমান কথা মুখৰ পৰা ওলাব। বোলে 'হাড় নাইকিয়া জিভা। মাতে কিবা কিথা!!' মোৰ মুখখন জপাব নোৱাৰোঁ। দেখিয়েই, ডাঙৰীয়া, মোৰ এই দুৰ্দ্দশা! কিয়? বঙালী কেইটা অশুচি, অসমীয়া কেইটাহে শুচি? অপৰাধ? বঙালীৰ ভিতৰত জাত কুল থকা ধৰ্ম্মিষ্ঠ মানুহ নাই; ফাপৰে ধৰা ছাল-ছিগা অসমীয়া কেইটাৰহে সেই বিষয়ত অকলশৰীয়া অধিকাৰ? নবো নবো পাৰিজাত অসমীয়া কেইটাৰ বাহী গাত কুকুৰে ছুলেই তেওঁলোক বিধুতি হয়। এনেখন বিশ্বাসৰ খেৰ-কুটা গোটাই বাহ একোটা সাজি লৈ, আমাৰ অসমীয়াই জাতৰ যোলা কণী একোটা তাতে পাৰি উমনি দি সদায় বহি আছে। তেওঁলোকৰ বাহ থকা গছৰ গুৰিডাল সময়-লুইতৰ গৰা-খহনীয়াত যে লাহে লাহে খহি যাব লাগিছে, তেওঁলোকৰ উমানেই হোৱা নাই। ডাঙৰীয়া এটি কথা সোধোঁ, তাৰ উত্তৰটো মোক দয়া কৰি দিয়কচোন? আপোনালোকে নিজক আৰ্য্য বুলি দেখোন তিনিউ প্ৰসঙ্গত বৰকৈ গপাই ফুৰে, আৰু নিজক টিংখোপৰ ওপৰত তুলি থৈ দি দয়াৰ চকুৰে তলৰ ফালে লোকলৈ চায়। আৰ্য্য মানে কি তালৈ এবাৰ মন কৰি চাইছেনে? আৰ্য্য মানে হালোৱা নহয় নে? আপোনালোকৰ পণ্ডিতসকলেই দেখোন কয়, ঋ বা অৰ্ ধাতুৰ পৰা আৰ্য্য, অৰ মানে হাল বোৱা। হাল বাই খেতি কৰি জীৱিকা নিৰ্ব্বাহ কৰা বিলাককে আগেয়ে আৰ্য্য বুলিছিল। আৰ্য্যসকলে তেওঁলোকৰ প্ৰতিবেশী প্ৰতিবাসী খেতি-বাতি কৰি খাব নজনা আৰু মাছ পহু মাৰি খাই উদৰীয়া হৈ ফুৰা, আজৰ মানুহৰ পৰা নিজক বেলেগ বুজাবলৈ

আৰ্য্য অৰ্থাৎ হাল বাই খোৱা হালোৱা বুলি চিনাকি দিছিল। আজিকালি আপোনাসকলৰ শিৰৰ মুকুট আৰ্য্য কেইজনে হাল বায় নে নাবায়? শিৰৰ মুকুট কাক বুলিছোঁ অৱশ্যে বুজিছে। বামুণ কেইজনকে শিৰৰ মুকুট বোলা হৈছে। বামুণে হাল বালে দেখোন তেওঁলোকৰ আজিকালি জাত যায়। যি আৰ্য্য আৰ্য্য কৈ ডেডাউবিয়াই আপোনালোকে গগণ ফালিছে, সেই আৰ্য্যৰ নিজা ব্যৱসায় হাল বাবলৈ গলে দেখোন আপোনালোকৰ জাতৰ কণ-কঠীয়া সোপাই মৰে। চমুকৈ কবলৈ গলে আপোনাসকল সঁচাকৈ আৰ্য্য হবলৈ গলে আপোনাসকলৰ জাত যায়, আৰু অনাৰ্য্য হৈ থাকিলে অৰ্থাৎ পৰৰ দাসত্ব কৰিবলৈ গলে, বৈশ্যৰ ব্যৱসায় বেহা-বেপাৰ কৰিলে, নাইবা অনাৰ্য্যৰ ব্যৱসায় বা ব্যসন অৰ্থাৎ চিকাৰ কৰি চৰাই পহু আদি মাৰি ফুৰিলে জাত নাযায়। আজিকালি আপোনালোক ওলোটা পাকে চলিলে আপোনালোকৰ জাতি ৰক্ষা পৰে আৰু পোনপাকে চলিলে আপোনালোকৰ জাতি পতন হয়। আপোনালোকৰ উপৰি পুৰুষসকলে যত ভৰিৰে বাট বুলিছিল, আজিকালি তেওঁলোকৰ সতি-সন্ততি আপোনালোকে দেখোন তাত মূৰেৰে বাট নুবুলিলে সৰ্ব্বনাশ সমুত্‌পন্ন হয়। এইটো কিন্তু এটা বৰ ডাঙৰ সাঁথৰ। এই সাঁথৰৰ মৰ্ম্মটো মোক বুজাই দিয়কচোন। হে আৰ্য্যশ্ৰেষ্ঠ ব্ৰাহ্মণ উকিল ডাঙৰীয়া অৰ্থাৎ ৰবহালোৱা। মোক এইটো বুজাই দিয়কচোন, আপোনালোকৰ জাত-টোৱে কোনখন বেদৰ মতে চলিব লাগিছে? আপোনালোকৰ জাতৰ নাড়ীডাল কোনখন সুশ্ৰুত বা কোনখন চড়ক সংহিতাৰ নিয়ম মানি লৰে মোক কওকচোন? 'অজস্য ঘৰা গতি' বুলি কয়, আপোনালোকৰ জাত কুল আদিৰ তেনেকুৱা ঘৰা গতি নেকি? আগৰ আপোনাসকলৰ হালোৱা পিতৃপুৰুষসকলৰ দুহিতা আইদেউহঁতৰ কাম আছিল গাখীৰ খীৰোৱা, উলৰ মোজা বোৱা, ছবি আঁকা, গান বাজনা কৰা বা নাটক 'নভেল' পঢ়া নহয়। তেওঁলোকৰ কাম বাইকৈ গাখীৰ খীৰোৱা আছিল দেখি তেওঁলোকক দুহিতা বুলিছিল। দুহ্‌ ধাতুৰ অৰ্থ যে গাখীৰ খীৰোৱা সেইটো লেখা-পঢ়া শিকা-সকলে জানে। আপোনাসকলৰ হালোৱা পিতৃ-পুৰুষবিলাকৰ গৰুৱেই ধন গৰুৱেই সৰ্ব্বস্ব আছিল। তাৰ বাহিৰে হালোৱাৰ আন কিবা বহুমূলীয়া ধন-সম্পত্তি থাকিবৰ বা আশা কৰিব পাৰি কেনেকৈ? কিবা কিবা বস্তু কিনাৰ বেচ দিব লাগিলে অথবা কোনো অপৰাধৰ বাবে দণ্ড দিব অৰ্থাৎ জৰিমনা ভৰিব লাগিলে তেওঁলোকে ধেনু অৰ্থাৎ গৰু দিছিল; আৰু আজিকালিকে ভাব চিৰ, আপোনালোকৰ পঞ্চা-চিত্তত এনেকু পৰাচিত দুনেকু পৰাচিত কৰা হৈ গৈছে। আজিকালি একুৰি ডেৰকুৰি টকীয়া মৰগ গাই এজনী সেই পৰাচিত্তৰ দক্ষিণা বা বেচ স্বৰূপে দিদি, কাকি মাৰি খাব সৰা এধেনুৰ মূল্য এক অনা বা দুধেনুৰ মূল্য দুই অনা দিবৰ ব্যৱস্থা হৈছে। ইংৰাজী ভাষাৰ pecuniary অৰ্থাৎ ধন বুজোৱা শব্দটোও লেটিন ভাষাৰ Pecus অৰ্থাৎ গৰু-ম'হ আদিক বুজোৱা শব্দটোৰ পৰা ওলাইছে। ৰোমান লেটিন আৰু ইংলণ্ডৰ ইংৰাজ জাতিও তেওঁ আপোনালোকৰ পূৰ্ব্বপুৰুষ আৰ্য্যৰে ফটা কৈল একোটাহে। এনেস্থলত আপোনালোকৰ জাতৰ জাত কি বুজিবই পৰা গৈছে। বৈদিক যুগৰ পিছত পৌৰাণিক যুগত জাতৰ সৃষ্টি বুলি সকলো দেশৰ পণ্ডিতে সিদ্ধান্ত কৰিছে। মহাভাৰতত আছে, প্ৰথমেই কোনো জাত নাছিল, পিছত লাহে লাহে কৰ্ম্ম অৰ্থাৎ নিজ নিজ ব্যৱসায় অনুসাৰে জাতৰ সৃষ্টি হল। যজ্ঞ হোম শাস্ত্ৰালোচনা আৰু পুৰোহিতৰ কাম কৰোঁতাবিলাক ব্ৰাহ্মণ হল। বামুণৰ যজ্ঞাদিৰ বিঘিনি নিবাৰণৰ অৰ্থে আৰু শত্ৰুৰ পৰা দেশ আৰু ঘৰ-বাৰী ৰক্ষাৰ নিমিত্তে যুদ্ধ কৰিবলগীয়া বিলাক ক্ষত্ৰিয় হল। খেতি আৰু খেতিৰ পৰা উৎপন্ন হোৱা বস্তুৰ বেহা-বেপাৰ কৰোঁতাবিলাক বৈশ্য হল, আৰু দাসত্ব অৰ্থাৎ লগুৱাৰ কাম বা সেই শাৰীৰ আন চাকৰি কৰোঁতা-বিলাক শূদ্ৰ হল। এই জাতি বিভাগৰ মানে বুজিব নোৱাৰা নহয়। যেয়ে যেনে কাম বা ব্যৱসায় কৰে আৰু বিশেষকৈ পুৰুষানুক্ৰমে কৰে, তাৰে স্বভাৱ আৰু চলন-ফুৰণৰ লাহে লাহে পৰিবৰ্ত্তন হৈ সি সেই কামৰ সৈতে সামঞ্জস্য লাভ কৰে। জন্তু কাটি মঙহ বেচি জীৱিকা উপাৰ্জ্জন কৰোঁতা-বোৰ স্বভাৱতে নিৰ্ম্মম নিষ্ঠুৰ নহৈ নাথাকে। গুৱালে গাখীৰ, ঘিউ, মাখন, নৱনুৰ ব্যৱসায় কৰি, আৰু পোহালিৰ প্ৰতি গাইৰ মৰমৰ ভাব দিনে দিনে দেখি, তেনে কোমল আৰু মৰমিয়াল স্বভাৱ লাভ কৰে। ব্ৰজৰ কোমল আৰু মৰমিয়াল স্বভাৱৰ নন্দ যশোদা আৰু আন গোপ গোপীৰ উদাহৰণ দি এই কথাৰ প্ৰমাণ দিবলৈ যোৱাটো বাহুল্য মাথোন। বামুণে দিনে ৰাতিয়ে শাস্ত্ৰালোচনা ঈশ্বৰ চিন্তা আৰু ওখ ভাববিলাকৰ আলোচনা আৰু আন্দোলন কৰি সাত্বিক স্বভাৱ পায়। ক্ষত্ৰিয়ই যুদ্ধত লিপ্ত থাকি ৰাজসিক স্বভাৱ লভে। মৰণলৈ ভয় নথকা, আপোনাৰ কথা অৰ্থাৎ প্ৰতিজ্ঞা প্ৰাণপণে ৰক্ষা কৰা, আৰু গাত শক্তি থকা গতিকে যেকো বাটেদি নগৈ পোনপটিয়ে সকলো কথাতে যোৱা, আশ্ৰিতক বিপদত ৰক্ষা কৰা আৰু তাৰ নিমিত্তে অকাতৰে প্ৰাণ পৰ্য্যন্ত দিবলৈ সাজু হোৱা আদি সত্তাৰ ক্ষত্ৰিয়ৰ ব্যৱসায় গুণত হয়। শৰণাগত কপোতৰ প্ৰাণ ৰক্ষাৰ্থে শেনক নিজৰ গাৰ মঙহ

দিয়া শিখ বজাৰ উদাহৰণ দি এই কথা আপোনাক বুজাবলৈ যাবৰ সকাম নাই, কাৰণ আপুনি সেই কথা ভালকৈ জানে। বৈশ্য বা বণিয়াই যেহা—বেপাৰ কৰি ন্যায় বা অন্যায় বাটেৰে ধনকৈ চকু নিদি মাখোন ধন ঘটিবলৈ যোৱা অৱস্থাৰ পৰা মাৰোৱাৰী বা ইহুদীৰ স্বভাৱ পায়। শূদ্ৰিবে চিৰকাল দাসত্ব অৰ্থাৎ লগুৱালি কৰি খচকাত শুকোৱা আৰু নিয়ৰত ঠন ধৰা দুখৰিৰ স্বভাৱ পায়। গীতাত কৈছে—

'শমো দমস্তপঃ শৌচং ক্ষান্তিৰাৰ্জ্জৱমেৱ চ।
জ্ঞানং বিজ্ঞানমাস্তিক্যং ব্ৰহ্মকৰ্ম্ম স্বভাৱজম্॥
শৌৰ্য্যং তেজো ধৃতিৰ্দাক্ষ্যং যুদ্ধে চাপ্যপলায়নম্।
দানমীশ্বৰভাৱশ্চ ক্ষাত্ৰংধৰ্ম্ম স্বভাৱজম্॥
কৃষি-গোৰক্ষা-বাণিজ্যং বৈশ্যকৰ্ম্ম স্বভাৱজম্।
পৰিচৰ্য্যাত্মকং কৰ্ম্ম শূদ্ৰস্যাপি স্বভাৱজম্॥'

অৰ্থাৎ শম, দম, তপ, শৌচ, ক্ষমা আৰু সৰলতা আৰু জ্ঞান, বিজ্ঞান আস্তিক্য অৰ্থাৎ ঈশ্বৰৰ বিশ্বাস ব্ৰাহ্মণবিলাকৰ স্বভাৱজাত কৰ্ম্ম। শৌৰ্য্য, তেজ, ধৃতি, দক্ষতা, দান, প্ৰভুত্ব আৰু যুদ্ধত নিভিকতা ক্ষত্ৰিয়বিলাকৰ কৰ্ম্ম। কৃষি, গোপালন আৰু বাণিজ্য বৈশ্যবিলাকৰ কৰ্ম্ম। পৰিচৰ্য্যা শূদ্ৰিবিলাকৰ স্বভাৱজাত কৰ্ম্ম। কিন্তু এতিয়া যেতিয়া বামুণে শূদ্ৰিৰ আৰু বৈশ্যৰ ব্যৱসায়ত ধৰিছে, ভাত-ৰান্ধনি, গাড়োৱান, আনকি কুলিৰ কামৰে পৰা নানাবিধ গোলামি কামত লাগিছে, ক্ষত্ৰিয়ৰ ব্যৱসায়েই নাইকিয়া হল, আৰু ক্ষত্ৰিয়ৰ ব্যৱসায় গৈ বাহাদুৰ চিং, সুন্দৰ সিং থাপ্পা আৰু ৰাজিদ খাঁৰ হাতত পৰিলগৈ, আমি আৰ্য্যবিলাকৰ জাতৰ চকটো কোন কেইটা উধানৰ ওপৰত বলগৈ কওক-চোন? কলিকতাত ন-সূত লগুণৰ ভাৰ বোৱা বামুণে ছাগলীৰ মঙহ বেচা আৰু জোতা বেচা দোকান কৰি পেট প্ৰৱৰ্ত্তাই থকা দেখা যায়। ৰান্ধনি গাড়োৱান আদি কাম কৰি ভাত নোকোলোৱা বাপু-দেউসকলৰতো লেখেই নাই। আজিকালি বামুণে ম্লেছৰ লগুৱালি কৰিও জাত নেহেৰুৱায়, অথচ তেওঁলোকে, যেদজ্ঞ তপোনিষ্ঠ বশিষ্ঠ ভৃগুৱে কঠোৰ তপস্যাৰে অৰ্জ্জন কৰা ব্ৰাহ্মণ্যৰ ওপৰত দাবী কৰি বহি থাকে। এনেস্থলত হিন্দু সমাজৰ কেনে গতি হৈছে অনুমান কৰি লবই পাৰি। আমাৰ শৰীৰত আগৰ আৰ্য্যৰ আৰ্য্যত্ব, ঋষি মুনিসকলৰ ব্ৰাহ্মণ্য আৰু পবিত্ৰতাৰ গোন্ধ-ভাপ বিচাৰি পাবলৈ একো নাই বুলিলেই হয়, তথাপি আমি বামুণবো আও বামুণ হৈ, সাহবতকৈও মুকামি হৈ, থন্থন্ কৰে বহি আছোঁ। মৰিলেও হেনো বনগ্ৰহ মাৰৰ বামুৰে বাব পৰা নেৰে। আমাৰ গাৰ পৰাও, আৰ্য্যত্ব ব্ৰাহ্মণত্ব মৰিলেও, সেইদৰে ধনঞ্জয় বামুণ জাত নাযায় দেখিছোঁ। জাতৰ শৰণ লৈ আমি আমাৰ লৰাক কলিকতালৈ পঢ়িবলৈ পঠিয়াব নোৱাৰোঁ, বিলাতত পঢ়িবলৈ পঠিয়াব নোৱাৰোঁ। আমাৰ অসমীয়াৰ অপৰূপ জাতৰ বাবেই, অসমৰ বাহিৰে বামুণ সজ্জন যেয়ে হওক, তেওঁৰে সৈতে খোৱা-লোৱা কৰিব নোৱাৰোঁ। আমাৰ সি জাত নহল জানিবা ভালুকৰ সাঙীহে হল, তাক আমি এৰিবও নোৱাৰোঁ। ধৰিবও নোৱাৰোঁ। এই পৃথিৱীৰ স্বাভাৱিক নিয়মত দেখা যায়, কোনো এবিধ জন্তু বা গছ বেয়া ঠাই বা বেয়া জলবায়ুত পৰিলে লাহে লাহে সি জাত এৰি অজাতৰীয়া হয়। ধাৰভাঙ্গাৰ লেংৰা আমৰ কলম, বোম্বাইৰ বোম্বে আমৰ কলম, কাশীৰ মধুৰি-আমৰ কলম, মজঃফৰপুৰৰ লেচুৰ কলম আনি অসমত কলে, জলবায়ু মাটি আদি অৱস্থাৰ পৰিৱৰ্ত্তনত সেইবোৰ অজাতৰীয়া হয়, মুজুৰা হয়, তাৰ ফলত পোকে ধৰে, আৰু তাত আগৰ সোৱাদ নাথাকে। দহ-বাৰ সেৰ গাখীৰ ওলোৱা নাগৰ গাই বা ভাগলপুৰী গাই পছিমৰ পৰা আনি অসমত ৰাখিলে, লাহে লাহে তাৰ গাখীৰ কমি গৈ এসেৰ আধাসেৰত পৰে, আৰু বছৰচেৰেকৰ ভিতৰতে সেই গাইৰ পোৱালিৰ অধোগতি হৈ তিলৌতিপো হৈ পৰে। হিন্দুকুশ নাইবা ককেছছ পৰ্ব্বতৰ কাষৰ নাইবা বাল্টিক সাগৰৰ পাৰৰ একে জাতৰে আৰ্য্যবিলাক ঠাই আৰু অৱস্থাৰ সলনিত, দীঘল পঞ্জাবী, শকত আৰত ভোজপুৰীয়া, কলীয়া মাদ্ৰাজী, পেটুৱা বঙালী, আটিল অসমীয়া আৰু গাথলু পৰ্ব্বতীয়া হৈছে। জাতৰ পৰিৱৰ্ত্তন যদি এইদৰে সকলোপিনে ঘটিল, তেন্তে মিছাকৈ ডাংকোপ মাৰি আমি পুৰণিকলীয়া উৱলি যোৱা জাতত কচ্ কটীয়াকৈ খামোচ মাৰি থকাৰ মানে কি? আজিকালিৰ যি নিয়মৰ জাত, তাক মানুহে পতাহে, ঈশ্বৰে সৃজা নহয়, এইটো ধুৰুপ, তেহেলৈ আপোনালোকে যিমানকৈ শাস্ত্ৰৰ পাত লুটিয়ালুটি কৰক। জাত সৃষ্টিৰ বিষয়ে মহাভাৰতে কি কৈছে, আগেয়ে কৈ আহিছোঁ। বৈদিক কালত জাত নাছিল, সকলোৱে স্বীকাৰ কৰিছে। পিছৰ কালতহে জাতৰ আবিৰ্ভাৱ। সেই কালত তেনে জাতৰ আৱশ্যক আছিল দেখি তাক তেনেকৈ পতা হৈছিল। আজিকালি তেনেকুৱা জাতৰ সকাম নাই দেখি তাক ভঙা উচিত। মানুহৰ বা তেওঁৰ আগৰ দিনতে সজা জাতৰ মৰৰ জাতত আমি এতিয়াও নিৰ্ভয়ে কত্তি মাৰি শুই থাকিলে ভাগি পৰা চালবোৰৰ হেঁচাত আমাৰ পৌৰাণিক প্ৰাণবায়ুটি উৰি পলাই যোৱাৰ খুব সম্ভৱ। মানুহে যিটো পাতে, মানুহেই নিজৰ বা সমাজৰ সুবিধা অসুবিধা বুজি সেইটো ভাঙিব পাৰে আৰু ভাঙে; আৰু ভাঙিবই লাগিব।

দিনে ৰাতিয়ে। যদি এই কথা সঁচা, তেন্তে জাত জাতকৈ ইমানটো "হাজাৰৰ" সকাম কি?

আৰ্য্যবিলাক যেতিয়া খাইবৰ গিৰিসঙ্কটেদি ভাৰতবৰ্ষ সোমাইছিলহি তেতিয়া তেওঁলোকে ভাৰতবৰ্ষৰ আদিবাসী অসভ্য মানুহৰ লগত তুমুল সংগ্ৰাম কৰি লাহে লাহে আগুৱাবি লগাত পৰিছিল যে এইটো নিশ্চয় আৰু সিন্ধু নৈৰ পাৰৰে পৰা ইফালে আগবাঢ়ি আহোঁতেও ভাৰতবাসী বৰ্ব্বৰবিলাকৰ লগত খনে খনে যুদ্ধ কৰিহে তেওঁলোক আহিব পাৰিছিল। তেনেস্থলত তেওঁলোকে নিজৰ জাতৰ তিৰোতা লগত কিমান আনিছিল, সিও এটা ভাবিবৰ বিষয়। যুদ্ধাৰু মানুহে বিদেশত শত্ৰুৰে লগত যুঁজ কৰিবলৈ আহোঁতে পৰিয়ালৰ লৰা তিৰোতা লগত লৈ নাহে, থৈহে আহে। তেন্তেনো ভাৰতবৰ্ষত তেওঁলোকৰ ভালেমান আদিবাসী ভাৰতীয় মানুহৰ ছোৱালী, বৈৰী কৰি লৈ গৃহবাস কৰি আৰ্য্যবংশ বৃদ্ধি কৰা নাই বুলি কোনে নদি কব পাৰে? 'স্ত্ৰীৰত্নং দুষ্কুলাদপি' সংগ্ৰহ কৰিলেও দোষে নোচোৱে বুলি হৈ হিন্দুশাস্ত্ৰই বাটটো উজু কৰি থৈছেই। অতি পুৰণি কালৰ কথাকে নকওঁ, বঙ্গদেশৰ ৰজা আদিশূৰে যেতিয়া কনৌজৰ পৰা বঙ্গদেশলৈ পঞ্চব্ৰাহ্মণ আনায়, সেই ব্ৰাহ্মণ কেইজন অকলশৰীয়া হৈ হে আহিছিল, লগত তেওঁলোকে নিজৰ দেশৰ পৰা ঘৈণী তিৰোতা অনা নাছিল। বঙ্গদেশৰ হীন বামুণৰ ছোৱালী বিয়া কৰাইহে তেওঁলোকে প্ৰথমে গৃহবাস কৰিছিল। পিছত তেওঁলোকৰ সুখ সম্পদৰ কথা শুনি তেওঁলোকৰ আগৰ লৰা তিৰোতাবিলাক বঙ্গদেশলৈ আহে। বঙ্গদেশৰ ৰাঢ়ীয় আৰু বাৰেন্দ্ৰ এই দুই শ্ৰেণীৰ বামুণ এইদৰে হৈছে বুলি সকলোৱে জানে। অসমৰ বামুণ কলিতাও সেইদৰে কনৌজ, মিথিলা, বঙ্গদেশ আদি স্থানৰ পৰা অহাহে, এটাইবোৰ অসমৰ শিৱকুটা নহয় তেহেলৈ তেওঁলোকে ভীৰটোকা গপ মাৰি যিমানেই ফুৰক। তেওঁলোক কনৌজ প্ৰভৃতি দেশৰ পৰা দুৰ্গম অসমত তীৰ্থাদি কৰিবলৈ আহোঁতে 'পথে নাৰী বিবৰ্জ্জিতা' হৈহে আহিছিল, অবলা বৈৰীবেককৈতক লগত নিশ্চয় লৈ অহা নাছিল। সতিকে, তেওঁলোকে কামৰূপীয়া আৰু আন আন হীন বামুণ শূদিৰৰ ছোৱালী বিয়া কৰাই গৃহবাস কৰিয়ে অসমীয়া ভো ভো বামুণ শূদিৰৰ লেখ বঢ়াইছিল, এইটো নুই কৰিলে নচলিব। তেন্তেনো আপোনাসকলে ইমানকৈ সপাই থকা জাতৰ চেকা শুচিল কেতিয়া, কেনেকৈ মোক বুজাই দিয়কচোন? যি বঙালী আৰু হিন্দুস্থানীৰ আমি চাটকে নসওঁ, যাক আমি ছেই-ছেই কৰি ফুৰোঁ, যাৰ হাতে ভাত খালে আমাৰ নবাব জাত 'অহল্যাৰ' যায়, সেই শ্ৰেণীৰ বঙালী আৰু হিন্দুস্থানী আমাৰ ভিতৰৰ কতজনৰ পূৰ্ব্বপুৰুষ তাৰ ভু ৰাখিছেনে নাই? যি পিতৃপুৰুষসকলৰ অৰ্থে আমি নিতৌ তৰ্পণ কৰিব লাগিছোঁ, ৯ পুৰুষৰ শ্ৰাদ্ধ অতি সন্তৰ্পণে কৰিব লাগিছোঁ, সেই সকল কোন দেশৰ? নেপালৰ নে নবদ্বীপৰ, তাৰ সম্ভেদ ভালকৈ ৰাখিছেনে নাই? সেই দেখিহে কওঁ, আমাৰ আজিকালি অসমীয়া কেইটাৰ জাতৰ অপৰূপ ধাৰণাটোৰ গুৰিতে ঘূণ পচি খাই গৈছে, চোকা ভেজা দিলিলে আৰু সি থিয় হৈ থাকিব নোৱাৰাত পৰিছেহি। আমি আমাৰ আৰ্য্য ঋষিসকলৰ সতি-সন্ততি বুলি নিজক ধন্য মানো, আপোনাৰ গোত্ৰ বশিষ্ঠ, মোৰ গোত্ৰ যমদগ্নি, তেওঁৰ গোত্ৰ পৰাশৰ বুলি, অৰ্থাৎ সেই ঋষিসকলৰ বংশধৰ বুলি সপত আমাৰ ভৰি মাটিত নপৰেই, কিন্তু সেই বৈদিক আৰু পৌৰাণিক যুগৰ ঋষিসকলৰ পান আহাৰ কি আছিল আমি সমি পিটিকি চাইছোঁনে? তেওঁলোকৰ আশ্ৰম, সত্ৰ, যজ্ঞ, সামগান, তপোবন, সন্ধ্যা, গায়ত্ৰী আৰু ফল-মূল, ঘিউ, গাখীৰ আহাৰৰ কথা শুনিয়েই আমি সাত্ত্বিক ভাৱত নিমগণ হৈ গদ্‌গদ হওঁ, কিন্তু তেওঁলোকৰ সোমৰস পান আৰু ৰববিং মঙহ ভোজনৰ কথালৈ আমি পাহৰিও চকু নিদিওঁ।

আৰু এটা কথা মই সোধোঁ,—আমি যে আৰ্য্য, ভাল বামুণ, ডাঙৰ জাত কৰি সগৰ্ব মাৰি থাকোঁহক, এতিয়াই ধৰক যদি কোনোবাই কোনো উপায়েৰে বা প্ৰেতন-সাইজ কৰি স্বৰ্গৰ পৰা আমাৰ পূৰ্ব্বপুৰুষসকলক নমাই আমাৰ আগত আনি দিয়েহি তেন্তে কি হব? ধৰক, আমাৰ ৰাজহুৱা নামঘৰতে ৰাজহুৱা সভা পাতি তেওঁলোকক আমি পোৰ-পোচ কৰিবৰ দিহা কৰিলো। প্ৰথমতে তেওঁলোকক সেৱা কৰি তেওঁলোকৰ আগত আঠু লৈ আমি তেওঁলোকৰ নাতিপুতি বুলি আমাৰ চিনাকি দিলোঁ। কিন্তু ভালকৈ ভাবি কওকচোন, আমাক তেওঁলোকৰ নাতি-পুতি বুলি তেওঁলোকে সৈ কাঢ়িবলৈ লাজ নেপাব নে? কাৰণ, তেওঁলোক হল ডাঙৰ দীঘল শকত বলী আৰু বগা, আৰু আমি তাৰে ওলোটা। তেওঁলোকে বুলিব, এই চিলো-চিপো চুটি চাপৰ বাওনা পঁমালসা কলাখন কৰ পৰা আহি আমাৰ আগত ওলাই আমাৰ নাতিপুতি বুলি চিনাকি দিছে! যেনেবা ক'লা এইখন কেতিয়াও আমাৰ সতিসন্ততি নহয়। ইহঁত, আমি তাহানি মৰিয়াই কিলাই পৰ্ব্বতে পাহৰতে খেদি দিয়া সেই কলা অসুৰ, দস্যু, দাস বৰ্ব্বৰবোৰৰ সন্তানহে, আমাৰ নহয়। দ্বিতীয়তে, আমি তেওঁলোকৰ মাত একেবাৰকে বুজিব নোৱাৰোঁ, আৰু তেওঁলোকেও আমাৰ মাত বুজিব নোৱাৰে। আমি অনাৰ্য্যসকলৰ লগতে অজী-ভজী কৈ যমৰ ভাৱ সলনাসলনি কৰাৰ দৰে, তেওঁলোকেও আমাৰে লগতে কথা-বাৰ্ত্তা। কৰৰ চেষ্টা কৰিব লাগিব, মানুহ

কথা বিসঙ্গতি। তৃতীয়তে, তেওঁলোকৰ গাৰ সাজ কাপোৰ আমাৰ গাৰ সাজ কাপোৰেৰে সৈতে সমূলি নিমিলিব। চতুৰ্থতে, তেওঁ লোকৰ সৈতে আমি খোৱা-লোৱাত যোগ দিব নোৱাৰিম, দিলে আমাৰ জাত যাব, কাৰণ তেওঁলোকে বিভূতিয়ে ভৰিত চৰ্ম্মপাদুকাৰে অৰ্থাৎ গৰু ছালৰ জোতাৰেই খাবলৈ বহি যাব। খাবলৈ মঙ্গহৰ আঞ্জা বিচাৰিব যাৰ নাম কলে আমি ভূমি চুই কৰ্ণত হাত দিব লাগিব, আৰু পিবলৈ গোমৰস অৰ্থাৎ এবিধ লাওপানী বিচাৰিব যাৰ বাবে তেওঁলোকৰ ওচৰৰ পৰা উঠি গৈ নৈত জোবোৰা মাৰি পৰাচিত্ত নহলে নচলিব। অৰ্থাৎ আমাৰ সেই পিতৃ-পুৰুষাবলৰ যাৰ নাম লৈ গণ্ডপ মাৰি গঙ্গাটোপ একোটা হৈ আমি ওফন্দি ফুৰিছো, আমাৰ পক্ষে অনাচৰণীয়, যাৰ নিশ্বাসত আৰু সহভোজনত আৰু স্পৰ্শনত আমাৰ জাত মৰি খাস্তাং হব। আমি যাৰ নাম লৈ, যাৰ যহত বৰ বামুণ, বৰ কায়স্থ, বৰ কলিতা, বৰ জাতৰ বুলি চলিব লাগিছোঁ তেওঁ-লোকে অন্ততঃ এদিনলৈকে আমাৰ ঘৰত আলহী বব লাগিলে, আমি আমাৰ চৰু-হাড়ী পেলাই, কাপোৰ-কানি ধুই, গোবৰ পানী খাবলগীয়াত পৰিমহঁক, তাৰ পাছত গঙ্গাস্নান আৰু গোসাঁই প্ৰভুৰ ঘৰৰ দঁড় আমাৰ কপালত আছেই। আৰু তেওঁলোকেও আমাৰ গচ্‌-গতি দেখি আমাক অসুৰ আৰু দস্যু বুলি নেওচাকেওচা দি তেতিয়াই গুচি যাব যে এই-টোও ধুৰুপ।"

"মোৰ এই দীঘল আৰু গাজত লাগি যোৱা বক্তৃতা শুনি উকিল ডাঙৰীয়াৰ মুখৰ মাত হৰিল আৰু সিজনও নিমাত হৈ বল। কিছুপৰ উকিলে টভক মাৰি থাকি মাত লগালে, "আপুনি বৌদ্ধ কি খৃষ্টান কিবা এটা হৈছে, নতুবা এইবোৰ বামানয় শাস্ত্ৰৰ মত উলিয়াই বেদপন্থ ছন কৰি লোকৰ মন মুহিবলৈ যাব কিয়? আপোনাৰ কথা আৰু যুক্তি শুনিলে পাপ হয়।'

"পাপ হয় যদি নালাগে শুনিব। জাতিবানৰ জাতৰ হিচাপ-কিতাপৰ 'নিকাচ' কৰি পুণ্য কৰি থাওক' বুলি মই তাৰ পৰা উঠি গুচি আহিলো।

সাধু-কথাৰ কুকি

আমাৰে নেপাহৰিৰ

প্ৰথম আধ্যা

"আগলি কলাপাত লৰে কি চৰে।
চিলনী আই মোৰ আগতে পৰে॥"

বিনাই-গোৱা এই গীতটি বহুত দূৰৰ পৰা বতাহৰ বোকোচাত উঠি আহি মোৰ কাণত পৰিল, মই চমকি উঠিলো। চমকি উঠিবৰ কথাই, আসামত হলে ই একো কথাই নহয়, কিন্তু কলিকতাৰ গঙ্গাৰ পাৰৰ পৰা নিৰ্জন দুপৰীয়া অসমীয়া ভাষাৰে, অসমীয়া বিনোৱা সুৰেৰে কোমল অসমীয়া মাতেৰে এনে নাম, গঙ্গাৰ বুকুত নাৱৰ ওপৰত আকাশলৈ চাই উটি যোৱা ক্ষুদ্ৰাতিক্ষুদ্ৰ অসমীয়া প্ৰাণী এটিৰ কাণত পৰি মনত কেনে ব্যাকুলতা বিষাদ হৰ্ষ আৰু অনুসন্ধিৎসাৰ চৌ তুলি দিয়ে, তাক আনে সতকাই সম্পূৰ্ণৰূপে অনুভৱ কৰাটো টান। যাবলৈ আহিছিলো শিবপুৰৰ বটানিকেল গাৰ্ডেনলৈ, কিন্তু সম্প্ৰতি সেই কালে যোৱা স্থগিত ৰাখি নাৱৰীয়াহঁতক বেগাই সেই মাতৰ ফালে নাও বাই নিবলৈ আদেশ কৰিলো। চিটাগঞ্জ্যা কলিকতীয়া নাৱৰীয়াই মোৰ অদ্ভুত আদেশ শুনি বেবেৰিবাং বৰ শাস্ত্ৰ মেলিবলৈ ধৰোতেই মই মহাবীৰ কৰ্ণৰ নিচিনাকৈ সময়ৰ শৰ নেপাহৰি বাক্যব্যয় নকৰি ছয় অনাৰ ওপৰত আৰু ছয় অনা নাৱৰ কেৰেয়া বঢ়াই দি চুঙা চাই লোপা দিলো; নাও সেই নাৱৰ ঘাটত বটীয়া ধৰি কাঁড যোৱাদি যাবলৈ ধৰিলে।

দ্বিতীয় আধ্যা

এটা আওহতীয়া ঘাটত নাও লাগিলহি। হঠাৎ কৰবাৰ পৰা নাও এখন আহি চপা দেখি, সেই ঘাটতে বহি পানীৰ সোঁত চাই বিনাই ওপৰত কোৱা নাম গোৱা চৈধ্য পোন্ধৰ বছৰীয়া বগী ডুৱনী মাকিন কাপোৰৰ মকশ্বা শাড়ী পিন্ধা ছোৱালী এজনী অপ্ৰস্তুত হৈ উঠি লৰ মাৰিবলৈ ধৰোঁতেই মই অসমীয়া মাতেৰে মাত লগালো—"আইটি ৰবা অলপমান [illegible]!" [illegible] নিচিনা অসমীয়া

মাতেৰে কথা শুনি ছোৱালীজনী চৰক্ খাই ৰল। ওচৰ চাপি গলো।

মই—আইটি তুমি কৰ পৰা আহিছা?

ছোৱালী নিৰুত্তৰ।

মই—আইটি কোৱাঁ, ভয় নেখাবা। তুমি অসমীয়া মানুহনে কি?

ছোৱালী—ওঁ।

মই—তুমি অসমীয়া! তুমি কেনেকৈ এইখিনি পালাহি? তোমাৰ লগত আৰু কোন আছে?

ছোৱালী—"এৰা মই অসমীয়া। মোৰ লগত কোনো নাই। আপুনিনো কোন? আপুনিও আমাৰ দেশৰে মানুহ নে কি?"

* *

তৃতীয় আধ্যা

ছোৱালী—মোৰ দুখৰ বাতৰি দেউতা, কি শুনিব কি কম। আমাৰ ঘৰ শিৱসাগৰ জিলাৰ কোৱঁৰপুৰ গাঁৱত। মোৰ আই বাঁৰী। মই বাঁৰী আইৰ একেজনী ছোৱালী। বোপাই সৰুতে মৰিল। মোৰ বোপাইক দেখা মনত নপৰে। সৰুৰে পৰা আয়ে মোক বুকুত বান্ধি লৈ চৰাই পোৱালিক চোপ খুওৱাদি খুৱাই ডাঙৰ দীঘল কৰিলে। যোৱা বহাগ মাহত মোক আয়ে বিয়া দি জোৱাঁয়েকক পো বুলি ঘৰতে ৰাখিছিল। দুমাহ এই দৰে আমি আইৰ পাখিৰ তলতে আছিলো। পাছে "তেওঁ" শহুৰ শাহুক এবাৰ চাব লাগে বুলি আইক কৈ মোক লৈ কিছুমান দিনৰ মূৰত পানীয়ে বাটে আহি এই খিনি পালেহি। এতিয়া শুনিছোঁ বোলে এই ধন বঙ্গালৰ দেশ, কিবা হেনো কলিকতা। "তেওঁৰ" ঘৰ ইয়াৰ ওচৰতে হেনো কেনিবা। আগেয়ে "তেওঁৰ" ঘৰ বঙ্গালৰ দেশৰ ওচৰত বুলি জনা [illegible] আয়ে মোক নপঠিয়ায়। "তেওঁ" ওচৰতে বুলি কৈছিল। ইয়াতো তিনি চাৰি দিনমান থাকি "তেওঁ" মোক এদিন কলে বোলে "মই নগৰৰ পৰা কিবা অলপমান বস্তু কিনি লৈ আহোঁ, [illegible]

ওচৰলৈ শুদাহাতে যোৱাটো বেয়া ; তুমি ইয়াতে থাকাঁ, মই পধূলিলৈ আহি তোমাক আমাৰ ঘৰলৈ লৈ যামহি।" মোক অকলৈ ইয়াতে এৰি থৈ যাব শুনি মই ভয়ত কান্দিবলৈ ধৰিলো। মোৰ কান্দোন শুনি এই ঘৰৰ বাবু এজন আহি মোক ভয় নেখাবলৈ কৈ ভালেমান খাং-খাং-বিং-বিং কৈ কিবা-কিবি বুলিলে। "তেওঁ" গুচি গল। যাবৰ সময়ত "তেওঁৰ" ভৰিত দীঘল দি পৰি কলো, "সোনকালে উভতি আহিবা, মোৰ অকলৈ থাকিবলৈ বৰ ভয় লাগে।"-কিন্তু আজি পোন্ধৰ দিন হল, "তেওঁ" আৰু উভতি নাহিল। নিতৌ বাটলৈ চাই থাকোঁ, "তেওঁক" আৰু দেখা নাপাওঁ। গোসাঁয়ে জানে তেওঁৰ কি অপায়ৰ মিলিল। নহলে "তেওঁ" কেতিয়াও নহাকৈ নেথাকিলেহেঁতেন। তেওঁ যোৱাৰ দিনৰে পৰা এই ঘৰৰ বাবু জনে আৰু আন আন মানুহে নানা বেয়া কথা কৈ মোক অপমান কৰিছে। আজি শুনিছোঁ বালে মোক হেনো অলপতে বেঙ্গৰ কুলি কৰি কোনোবা সাত সাগৰৰ পাৰলৈ পঠিয়াব। মই আৰু "তেওঁক" দেখিবলৈ নেপাওঁ। মোৰ আইক দেখিবলৈ নেপাওঁ। মোৰ অবিহনে মোৰ আইৰ কি গতি হব। তাহানি আইৰ মুখে সাধু-কথাত শুনিছিলো যোলে চিলনী-জীয়েকে দুখ পালে মাকক "আগলি কলাপাত লৰে কি চৰে, চিলনী আই মোৰ আগতে পৰে", এই বুলি খিনাই মাতিলে মাক ক্ষন্তেকতে আগতে পৰেহি। কথাটো শুনি মই মোৰ আইক সুধিছিলো 'আই আগলৈ মই দুখত পৰিলে তোক এই দৰে মাতিলে তই মোৰ আগতে আহি পৰিবিহিনে ?" আয়ে কৈছিল "পৰিম তো মোৰ আইকণ তোৰ আগতে, তই দুখত পৰি মাতিলে।" আজি সেই দেখি চিলনী জীয়েকৰ দৰে মই বিনাই আইক মাতিছিলো এই দুখৰ কালত। আইৰ বদলি আপুনি মোৰ আগতে পৰিলহি, আপুনি মোৰ ঈশ্বৰ। নিশ্চয় আপোনাক মোৰ আয়ে মোৰ বিননি শুনি মোৰ ওচৰলৈ পঠিয়াই দিছে। দেউতা ঈশ্বৰ মোক উদ্ধাৰ কৰক। মোক মোৰ আইৰ হাতত পাৰে যদি পেলাই দিয়ক মোৰ দেউতা।

এই কেষাৰ কথা কৈয়ে ছোৱালী জনীয়ে উচুপি উচুপি কান্দিবলৈ ধৰিলে। মোৰও শুকান চকুত চল আহিল।

চতুৰ্থ আধ্যা

ইয়াৰ পাছত কি হল, কি কৰা গল, কবলৈ গলে আত্মশ্লাঘা কৰা হয়, সেই গুণে সেই খিলাক খিৰখি নকৈ মুঠতে কওঁ যে মহাৰাণীৰ নিৰপেক্ষ আইনৰ সাহাৰ্য্য লৈ নিঃসহায় অভাগিনীক গাৰ্ডেন-ৰিচৰ কুলি ডিপোৰ পৰা অতি কষ্টে উদ্ধাৰ কৰি ঘৰলৈকে পঠিয়াই দিয়া হল। মাকে হেৰোৱা-ধন আকৌ পাই আনন্দত ঈশ্বৰৰ চৰণত কৃতজ্ঞতা-ফুল আজলিয়ে আজলিয়ে দিবলৈ ধৰিলে। জীয়েকেও মাকৰ স্নেহ-ৰসেৰে ভৰপূৰ বুকুত মূৰ সুমাই সুখেৰে আকৌ শুবলৈ পাই হাতেৰে স্বৰ্গ চুকি পালে। কিন্তু তুঁহ-জুইৰ নিচিনা একুৰা শোকৰ জুই সদাই তেওঁৰ মনত জ্বলিবলৈ ধৰিলে যে "মোৰ স্বামী নাহিল! তেওঁৰ নাজানো কি দশা হল!"

কিছু দিনৰ মূৰত এদিন হঠাৎ স্বামী মহাশয়ক হাতত শিকলি লগাই পুলিচে মাক-জীয়েকৰ আগত হাজিৰ কৰিলে। মেকুৰী জোলোঙাৰ পৰা ওলাল, সবিশেষ বৃত্তান্তও তাৰ লগে লগে ওলাই পৰিল। "তেওঁ" মহাশয় এজন উৰিষ্যা দেশৰ ব্ৰাহ্মণ পাণ্ডা। জগন্নাথৰ গদাধৰ পাণ্ডাৰ গোমস্তা বুলি কৈ তেওঁ গাঁৱত সোমাই অসমীয়া গাঁৱলীয়া মানুহৰ লুটি-পুটি খাই সৰ্ব্বস্বান্ত কৰি ফুৰিছিল। এই দৰে ফুৰি তেওঁ অসমীয়া কবলৈ শিকিলে। পাহ-কটা তিনি-খলপীয়া চুলি আৰু এমোকোৰা তামোলৰ মুখেৰে অসমীয়াৰ লগত অসমীয়া হৈ যাবলৈ আমাৰ উড়িয়া ভাইহঁতৰ পক্ষে যে কিমান উজু ব্যাপাৰ তাক সকলোৰে অপ্ৰয়াসে বোধগম্য কৰিব পাৰে। আমাৰ গাঁৱে গাঁৱে সোমাই অসমীয়া বুলি পৰিচয় দি মোৰ অমুকত ঘৰ অমুকত বাৰী, এই দৰে কৈ, কোনো কোনো ভোদা অসমীয়া মানুহক ভুৰুকিয়াই ঘৰ জোৱাঁই চাপি আজলী অসমীয়া ছোৱালী ফুচুলাই লৈ আহি কলিকতাৰ ডিপোত বেচি থৈ গুচি যোৱা ব্যৱসায় আমাৰ এই বহুৰূপী পাণ্ডা মহাশয়ে ধৰিছিল। এই বাৰো এ[illegible] বাঁৰীৰ জীয়েকক এনে ফন্দি কৰি কলিকতাত এৰি থৈ গৈ বং মনে আকৌ অসমত নতুন পহু ধৰিবলৈ নতুন জাল পাতিবৰ চেষ্টাত থাকোঁতেই ঈশ্বৰৰ ইচ্ছাত কলিকতাৰ পুলিচে লুটিয়াই তেওঁক ডাঙৰ জালত পেলাই অনুগ্ৰহ কৰি ধৰি ৰৰফাটেকত সুমাই থলে।

সামৰণি

এই ঘটনাৰ কিছু দিনৰ পাছত এদিন, বাট পাহৰিয়েইনে কি, কোৰঁৰপুৰৰ সেই বাঁৰীৰ ঘৰত ওলাইছিলোগৈ। নানা কথা বাৰ্ত্তাৰ পিছত বিদায় লৈ উঠি আহিবৰ সময়ত সেই ছোৱালীজনীয়ে চকুৰ লো টুকি মোৰ মুখলৈ চাই কলে, "আমালৈ নেপাহৰিব।" ইমান দূৰত ইমান সময় আৰু স্থানৰ ব্যৱধানত আছোঁ, তথাপি আজিও থাকি থাকি মোৰ কাণৰ বিজাত বাজি উঠে "আমালৈ নেপাহৰিব্।"

[illegible]

চ'তৰ "মাৰে ধৰ" [illegible] কথা [illegible]। এইবাৰ [illegible] অসমীয়া মানুহ [illegible]

থৰ্‌থৰীয়া হৈ শুকাই আছিছে। কিন্তু পকা-আজঠা-বেন এই বাৰ চৈধ্যটা দিন অসমীয়াই বঙালী ন ৰহাগৰ ন পানীৰ আশাত চকু-মুখ মুদি যেনে তেনে মতে কটায়। বহাগৰ ন ৰবধুণ গাত পৰিলেই অসমৰ পুথি-খলিহাই সেন্দুৰ পিন্ধি নাচোন-বাগোন ধৰে, আৰু লগে লগে ল'ৰা ছোৱালী ডেকা গাভৰু বুঢ়া বুঢ়ীয়েও সেন্দুৰীয়া হৈ আপোন অৱস্থানুযায়ী যথা-বিহিত ৰং-ধেমালি কৰে। আমি কবি হোৱঁা হলে এইখিনিতে আমগছ নাহৰ গছৰ নতুন কুঁহি পাত, ৰিৰ্ ৰিৰ্ কৰে বোৱা মলয়া বতাহ, কুলিৰ সুললিত কু-উ কু-উ আৰু বঙালী বহাগৰ বিহুৰ ৰং-ধেমালি আদি সুৰলা ভাবৰ কথাৰ বহণ সানি বৰ্ণাই লিদিয়াকৈ কেতিয়াও নেৰিলোহেঁতেন! কিন্তু!—দুখৰ কথা কিন্তুতেই অন্ত কৰা ভাল। আমি কবিত্ব কৰিবলৈ গলে, নিৰ্ব্বলীৰ পৰা কাণ মলাটো, বলীৰ পৰা বাঘ-চকাটো, আৰু বলী নিৰ্ব্বলীৰ মাজতে যি ডেওঁৰ পৰা খকৰা মুকুটিটো খাব লাগিব। “লাইচেন্স” পোৱা বা ‘পট্টাদাৰ” কবিয়ে “আমৰ মল” আৰু “নাহৰৰ’ কুঁহিপাত বুলি উকা কৈ বৰ্ণাই গলেও পাৰ পাই যাব, কিন্তু আমি “অকবি’ মলমতিৰ মুখত আমৰ মল আৰু নাহৰৰ সলনি “আম্ৰ মুকুল” আৰু “নাগে-শ্বৰ” শব্দ সাজ পাৰ পিন্ধি ওলালেও, বিনা সোধে বিনা আপিলে আমাৰ ৫০্ টকা জৰিমনা নহৈ নেযায়।

কলিকতাত চ'তৰ বাৰ থৰ বুলি কথা এটা নাই। বাৰ খৰৰ ঠাইত ছত্ৰিশ থৰ বুলিলেও কলিৰ চহৰ কলিকতাৰ বদৰ যথোচিত সন্মান ৰক্ষা কৰি নামাকৰণ কৰা নহয়। চ'তৰ কলিকতাৰ দিনত তো জুয়েই, ৰাতিও জুহাল। এনে চ'ত মহীয়া এনিশাত, শোৱনীৰৰত শুব নোৱাৰি ভালকৈ বা-বলা বাহিৰৰ চৰাৰৰত আহি শুবৰ আয়োজন কৰা গল। উপজিৰৰে পৰা এই বয়সলৈকে টোপনিৰ আশয় পাব নোৱাৰিলো। কেতিয়াবা নেৰাভিলেও আহি টোপনিয়ে ধৰে, কেতিয়াবা আহিবলৈ কুতুৰি মাতি থাকিলেও টোপনিৰে সৈতে দেখা সাক্ষাৎ নহয়। আমাৰ সময় অসময়ৰ সুবিধা অসুবিধা বুজা অভ্যাস টোপনিৰ সমূলি নাই। সংক্ষেপতে কবলৈ গলে টোপনিৰে সৈতে আমাৰ সম্বন্ধটো প্ৰণয় বা সদ্ভাৱৰ সম্বন্ধ নহয়, “মামলা-মোকৰ্দ্দমা” বা “গোচৰ-কবিয়া-দৰ” সম্বন্ধ। আদালতত গোচৰ কৰি বিবাহিতা তিৰোতা “ডিক্ৰি” পাই সেই তিৰোতাৰে সৈতে কৰা গৃহবাস যেনে, সাহেঁৗ বুলিলে, কালি-আং-কটকাৰ আদালতত ডিক্ৰি পাই আমা টোপনিৰে সৈতে কৰা গৃহবাসো তেনে।

শোৱা পাটিত পৰি কাটি চাই আছোঁ, টোপনি আহিব, টোপনি আহিব—টোপনি নাই। “মোৰ সোণ, মোৰ মইনা টোপনি আহাঁ, কাখৌ কৈ মাতিছোঁ” টোপনিৰ গায়েই নলৰে। হঠাৎ মনত পৰিল, তাহানি ছাত্ৰৰ অৱস্থাত পঢ়িবলৈ কিতাপ মেলিলেই টোপনিয়ে দেখোঁ হেচা মাৰি ধৰেহি, এতিয়াও সেই বুধি নকৰোঁ কিয়? উঠি চাকিটো থৰাই দি কিতাপ এটা মেলি ললো। হায়! সেই বাগো গল, অযোধ্যা-পুৰীও গল। সেই সুখৰ ছাত্ৰীয়া টোপনি আৰু নাই। কিতাপ মেলিলেই যে টোপনি আহে এই কথাত সেই কালৰ মোৰ এনে ডাঠ বিশ্বাস আছিল যে কোনো বয়সীয়া মানুহক টোপনি নাহে বুলি কবৰ শুনিলে কিতাপ মেলি লবলৈ পৰামৰ্শ দিছিলো; আৰু নিদ্ৰাশূন্য দুৰ্ভগীয়া সৰ্ব্বসাধাৰণৰ উপকাৰৰ অৰ্থে “টোপনি অহাৰ অব্যৰ্থ ঔষধ” নাম দি এই বুধিটো বাতৰি কাকতত জাননী দি দিওঁ বুলি কেইবা বাৰো গভীৰ ভাৱে ভাবিছিলো, কাৰ্য্যবশতঃ সি জানিবা হৈ নুঠিল, গতিকে মোৰ জাননীৰ খৰচৰ পইচা কেটাও বাহি হল। কিতাপ জপাই চাকিটো নুমাই আকৌ একাগ্ৰচিত্তে টোপনিৰ তপস্যাত লাগি গলো। ঘড়ীত টং-টং কৰে তিনি বাজিল। অনেক ভাবনা-ডাকিনী চিন্তা-যোগিনী আহিল, কিন্তু টোপনি দেৱী নাহিল। এই পৃথিৱীৰ ওপৰত বৰ বিৰক্তি ধৰিলে। ভাবিলো এই পৃথিৱীত সুখৰ লেশমাত্ৰ নাই, যিমান শীঘ্ৰে এই দুখৰ পৃথিৱী এৰি যোৱা যায় সিমান মঙ্গল। আজি কালিৰ আমি উঠি অহা ডেকাই যতে যিহতে, আপোন দোষতে বা পৰৰ দোষতে, ঠেকা খাওঁ, বিৰক্তিটো ধৰেহি এই পৃথিৱী-খনৰ ওপৰত। ওপৰ-চকুৱা হৈ বাটত উজুটি খাই আমাৰ আঙুলিৰ আগ ছিগিল, জগৰ লাগিল এই পৃথিৱীৰ গাত। আমাৰ পিঠি-চেকিত ঘহে খালে, খৰ্‌খৰণি উঠিল আহি এই উৰ্ড়াল পৃথিৱীৰ গাত্ৰ। আকাশত উবাটো হাঁচ মেলি চুঙ্গি নেপালো, দায় পৰিল এই পৃথিৱীৰ গাত। খৰি ভাৰীৰ লৰা বা খৰি-ভাৰী হৈ ৰজাৰ জীয়াৰীক বিয়া কৰাৰৰ মন গৈছিল, কৰাব নোৱাৰিলো, দোষ দিলো এই ঘূৰণীয়া পৃথিৱীৰ গাত, আৰু ৰাজ-কন্যাৰ উদ্দেশ্যে আত্মহত্যা কৰি এই পৃথিৱীৰ ওপৰত খং সাবিলো! এই প্ৰচলিত প্ৰথা অনুসৰণ কৰি মোৰো টোপনি নহা বাবে এই পৃথিৱীৰ ওপৰত বিৰক্তি ধৰাটো অযুক্তিসঙ্গত নহয়। ভাবিলো এনেকুৱা এখন ঠাইলৈ যাব নোৱাৰি নে য'ত এই নিঠুৰ টোপনিৰ ভৰিত তেল-টেঙা নৰ্দ হাকৈ কাল কটাই থাকিব পাৰি? এনে ঠাই স্বৰ্গৰ বাহিৰে এই পৃথিৱীত কত? আহা আজিয়েই মোক স্বৰ্গলৈ কোন পোনাৰে লৈ যায়। ইত্যাদি কিমা আগ গুৰি নথকা কথা ভাবি থাকোঁতেই, কব নোৱাৰোঁ, কেতিয়া কলা-বয়াকৈ মোৰ টোপনি আহিল।

মোৰ চৰাঘৰটো অনুষ্টুপীয়া ছন্দত ৰচিত। অৰ্থাৎ,—চকু দিলে চকুবোৰা বা খেৰেকানিত চকু পৰা বিধৰ নহয়। মাজে মুৰে এক ৰকম চলি যোৱাকৈ সজোৱা। কিহেৰে কেনেকৈ সজোৱা তাৰ বৰ্ণনা দি মোৰ বেচেৰা দুখীয়া চৰাঘৰ ফেৰাৰ সুখ্যাতি বা অখ্যাতি কৰিবৰ মোৰ মন নাই। এটা বস্তুৰ মাথোন উল্লেখ কৰিবৰ আৱশ্যক। চৰাঘৰৰ বেৰত কেইবাখনো পট বা "ছবি" অৰা আছে। তাৰে এখন ছবিৰ নাম প্ৰেমৰ বাতৰি (Message of Love)। ছবিখন ইংৰাজী ছবিৰ আহিত অকা। ছবিৰ বিষয়:-একনী সুন্দৰী গাভৰু ছোৱালীয়ে ৰাতিপুৱা ফুলনি-বাৰীত সোমাই ফুল তুলি কোচত একোচকৈ ভৰাইছে, তাৰে দুটা এটা ফুল কোচৰ পৰা সৰি মাটিত পৰিছে। মুৰৰ ওপৰত নিৰ্ম্মল নীল আকাশত চিলনী বনাইছে। এনে সময়ত লৰামতীয়া দুষ্ট কামদেউ ৰৰবাৰ পৰা অকলশৰীয়াকৈ ছোৱালীজনীক পাই তাইৰ কাণত ফুচ্‌ফুচ্ কৰে কিবা-খোৰ কৈছে। কি কৈছে কি মেলিছে কোনে জানে? ফুচফুচীয়া কথাৰ, বিশেষ গাভৰু ছোৱালীৰ ফুচ-ফুচীয়া কথাৰ আমি ধাৰ নাখাওঁ। অমুক তমুক কৈছে বুলি সাজি-পাতি কবলৈকো, আমি আগেয়ে সৈ কাটি খৈছো, কোনো বিধৰে কবি নহওঁ বুলি। ছবিখন দেখা মানুহে কয় বোলে কিবা হেনো প্ৰেমৰ বাতৰি কৈছে, অৰ্থাৎ কামদেউ নামৰ সেই খোপোৰা সৰু লৰাটোৱে গাভৰু ছোৱালীজনীৰ কাণত কৈছে হেনো, "অমুকত তোমালৈ এনে ৰূপৰ এনে গুণৰ এটি সুন্দৰ দৰা আছে তোমাক লাগেনে?" আমি কিন্তু বোপাইহে, এনেই কলে নপতিয়াব যদি, লৰাৰজা বা গৌৰীনাথ ৰজাৰ শৰণ দি কৈছোঁ, এই ফুচ্‌ফুচীয়া "প্ৰেমভেম" বুজ নেপাওঁ, তেহেলৈ তহঁতে যিহকে বোল। ধনিকৰৰ হাতৰ হেজুল-হাইতালেৰে অকা ৰমক-জমক নক্সা দহ চাৰিযেও আৰে, দহ চাৰিক দেখা-দেখি আমিও আনি বেৰত আৰি খৈছোঁ। দোষৰ ভিতৰত আমাৰ গাত এই ফেৰাহে। আমি হোল-গোজ ভকত ইমানকেহে বুজো, যে ছোৱালীলৈ যদি দৰা বিচাৰিব লাগে, সেই কাম মাক বাপেকৰ, কামদেউক সেই ভাৰ দিলে কোনে? আমি জানো, লৰাৰ কাম হৈছে ওমলা, খোৱা শোৱা আৰু "স্কুলৰ লেচন" পঢ়া; দৰালৈ ছোৱালী, ছোৱালীলৈ দৰা বিচাৰি ঘৰপাতি ফুৰা নহয়। হাততে প্ৰমাণ লৰাৰ লৰা-বুদ্ধি, চকুৰ সুখি চাউল বহাবলৈ গৈছে, দৰাৰ বাতৰি বাপেক মাকক নকৈ ছোৱালীৰ আগত কৈছে গৈ। বাপেক-মাকৰ কাষলৈ বা এইবিলাক কথা লৈ এই বালক কামদেউ ঠৌকে কেনেকৈ? মনমসাহ দি ঠুকিলেও "ল'ৰাৰ মুখত বুঢ়া-কথা। বা ইয়াৰ পৰা ওচি যা।" বুলি বুঢ়া-বুঢ়ীয়ে একেটা ঢেকিঠোৰাৰ বাৰতে পেটুৱা কামদেউৰ পেটু উলিয়াব।

মোৰ চিলামনিকৈ টোপনি আহিল, লগে লগে টোপনিৰ সখী সমাজিকো আহিল। দেখিলো, ছবিখনৰ পৰা সেই উদং-মুদং ফুচ্‌ফুচুৱা লৰাটো আহি মোৰ কাণত ফুচ্‌ফুচাবলৈ লাগিছে। ইস্কি "তামোচা"! মোৰ খঙে মুৰৰ চুলি পালেগৈ। "হেৰ, মোৰ দেখোন কেতিয়াবাই বিয়া হৈ গল, এতিয়া মোৰ কাণত কি ফুচ্‌ফুচাবৰ দিন আহিছে? একেই এই তিনিপৰীয়া ৰাতিলৈকে টোপনি নাই, ঘামত ছট্‌ফটাই আছো, তাৰ ওপৰত তই আহি লাগিছহি? কি লৰাই চল পাই যায়, ডাঙৰে সৈতে চুপতি কৰিবলৈ আহিছ।" এই বুলি তাক খেকেচা মাৰি পেলাই দিব খোজোতেই "হে হে কি কৰে, খং কৰিছে নো কেলৈ? আগেয়ে শুনক মই কি কবলৈ আহিছো, তাৰ পাছত মোৰ গাত দোষ পায় যদি খং কৰিব।" এই বুলি কামদেউ হাত যোৰ কৰি মোৰ আগত থিয় হল। মযো লেকাম টানি ধৰি খংটো ৰখাই সি নো কি বক্তৃতা কৰিব খুজিছে, শুনিবলৈ কাণ পাতিলো।

কামদেউ—ককাইদেউ, (ককাইদেউ বুলিয়েই আপোনাক সম্বন্ধ ধৰিলো, খং নকৰিব দেই) আপোনাৰ কষ্ট দেখি থাকিব নোৱাৰি বেৰৰ পৰা নামি ওচৰ চাপি আহিছো যদি মোৰ পৰা কিবা উপকাৰ হয়, এই ভাবি। ৰাতি তিনি বজালৈকে আপোনাৰ চকুত টোপনি নাই ছট্‌ফটাই আছে, মই চকুৰ আগতে দেখি আছো।

মই—মোৰ টোপনি নাহিল যদি নাহিল, তোৰ তাত কি হল? কোনোবা ৰজাৰ জীয়েকৰ বাতৰি কৈ মোৰ চকুৰ পৰা টোপনি একেবাৰেই খেদিবৰ ফিকিৰ কৰি মোৰ ওচৰ চাপিছহি হবলা? সেই ফিকিৰ মোৰ ওচৰত নেখাটে। তই বেৰৰ লৰা বেৰলৈ উঠি যা, গৈ লোকৰ কুমলীয়া ছোৱালীৰ কাণত ফুচ্‌ফুচ্-ফাচ্‌ফাচ্ কৰি তাইক বলিয়া কৰগৈ। তই মোৰ ভাই বা আন সম্বন্ধীয়া নহলি, নপটি নুগুনি দুষ্টালি কৰি এনেকৈ ফুৰা বাবে নিতৌ তোৰ পিঠিত মই লৌকা মেলিবলৈ নেপালো। গুচ্! যা! মোৰ বিয়া হৈ গৈছে, তই মোৰ ঘৰ পাতিব নেলাগে।

কামদেউ—আপোনাৰ বিয়া হৈ গৈছে বুলি মই জানো; মই সেই বাবে আপোনাৰ ওচৰলৈ অহা নাই।

মই—কি বাবে আহিছ বেগাই ক। মাটি-মুঠি থাকিব নেলাগে। ৰাতি পুৱায়হে লাগে, পাৰেঁ। যদি মই অলপ চকু মুদোঁ।

কামদেউ—আপুনি এই পৃথিৱী এৰি স্বৰ্গলৈ যাবলৈ ইচ্ছা কৰিছিল। মোৰ স্বৰ্গ-মৰ্ত্য-পাতাল

তিনিও লোকত অব্যাহত গতি। বেচ্ কথা, আপুনি যদি স্বৰ্গলৈ যায়, তেন্তে বলক মই লৈ যাওঁ। এই কথা কবলৈহে মই আহিছোঁ।

মই—সঁচাকৈয়ে কৈছনে, নাই মোৰ সৈতে চুপতিহে কৰিছ? চুপতি কৰিছ যদি সোকোজা পাবি, মই কেনে ভকত জনা নাই হবলা?

কামদেউ—ৰাম ৰাম। আপুনি মোৰ ককাইদেউ, আপোনাৰে সৈতে জানো মই চুপতি কৰিব পাৰোঁ? সঁচাকৈ কৈছো, যদি যাব বলক মই লৈ যাওঁ।

মই—যাওঁতো লৈ যাব পাৰ যদি। কিন্তু বৌৱেৰক হলে এৰি যাব নোৱাৰোঁ।

কাম—কিয় বৌক এৰি যাব লাগিছে, তেওঁকো লৈ যামহঁক। কিন্তু এজন এজনকৈহে মই লৈ যাব পাৰিম। পলাই স্বৰ্গত সোমোৱা কথা, দুইকো একে বেলিয়েই লৈ গলে কৰবাত ধৰা পৰিম। পৰিলে আপোনালোকতো অজলা "নৰ মনিষ" বুলি সাৰিব, মইহে মৰা পৰিম। প্ৰথমতে দুৱৰীয়েই কোবাই মোৰ পিঠিৰ ছাল ছিড়িব; তাৰ পিছত ইন্দ্ৰৰ আগ পোৱালে নি কি হয় ইন্দ্ৰই হে জানে। আপোনাক আগেয়ে লৈ গৈ স্বৰ্গত থৈ আহোঁগৈ, তাৰ পাছত বৌক লৈ যামহি।

মই—বাৰু তেন্তে।. কিন্তু সাৱধানে কৰিবি বোপাই। ভাল-মন্দ তইহে জান। অ' আৰু এটা কথা; মোৰ বই বস্তু সোপা, কি কৰিম? এৰি থৈ যাব হলে নোৱাৰো। মই বোপাই বগা শিলৰ মেজখন কালি হে কিনি আনিছোঁ। মখমলৰ জোতাজোৰা সৰৰ ন।

কাম—আপোনাৰ বস্তু এটাইবোৰ কেনেকৈ লৈ যাব? ধৰা পৰি মৰিব দিয়েনে? আপুনি বলে পৰা এটামান টোপোলাৰ জোখাই বাৰু লয় যদি বান্ধি লওক। বগা শিলৰ মেজ-চেজ এৰক, সেইবোৰ লৈ যাব নোৱাৰে। স্বৰ্গত গৈ আপুনি ঠান্-থিত লাগক গৈ, তাতে মই লাহে লাহে বগা শিলৰ মেজ এখনহে নেলাগে দহখন কিনি দিম। মখমলৰ জোতা-জোৰ পিন্ধি লওক।

মই—(ভালেমান বেলি ভাবি) বাৰু মোৰ বোপাই তোৰ কথাই হওক। কিন্তু এদিন সময় দিব লাগিব; আজিয়ে মই যাব নোৱাৰো। কাইলৈ ৰাতিকে আমি ঠিক হৈ ওলাই থাকিমহঁক, তই আহি লৈ যাবিহি। মখমলৰ জোতাজোৰ নিপিন্ধো, টোপোলাত সুমাই লম, বাট বেয়া যদি পিন্ধি খোজ কাঢ়িলে সি ফাটিব।

কাম—বাৰু তেন্তে কাইলৈ ঠিক মাজনিশা আহি আগেয়ে আপোনাক লৈ যামহি, তাৰ পাছত বৌক।

মই—এৰা।

ইয়াৰ পিছত সমাজিকতে দেখিলো যেন "কাইলৈ মাজনিশা" হল। যেন সকলো দিহা-পোহা কৰি নিব লগা বস্তু একেটা টোপেলাতে বান্ধি যাবলৈ দুয়ো সাজু হৈ ওলালোঁ। যেন কামদেউ আগৰ দৰেই ছবিটোৰ পৰা নামি আহি আগ ৰাতিৰ কথা মতে মোক আগেয়ে যাবলৈ কলে। যেন মই খোবাই কাপোৰৰ টোপোলা লোৱাদি বস্তুৰ টোপোলাটো লৈ পিছে পিছে যাবলৈ ধৰিলো।

কিছুমান বেলিৰ মূৰত স্বৰ্গ পালো গৈ। কেনেকৈ কোন আৰু কেনেকুৱা বাটেদি গলো, আৰু যাওঁতে বাটত কি দেখিলো, কি শুনিলো, মোৰ একো মনত নাই। এটা মানুহ-দুনুহ নোহোৱা ঘৰত মোক সুমাই দি সি কলে, "আপোনাৰ এইটোৱেই ঘৰ, ইয়াতে টোপোলাটো থওক।" তাৰ কথামতে মই টোপোলাটো মাটিত থৈ তাক কলো, "বাৰু মই টোপোলা থলো, তই লৰ মাৰি যা বৌৱেৰক লৈ আহগৈ, মোৰ মনটোৱে খু-খুৱাব লাগিছে।"

"মই যাওঁ নবি লৈ আহোঁগৈ" বুলি কামদেউ নাইকিয়া হল।

কামদেউ যোৱাৰ পিছত, "এনেই বহিয়ে আছোঁ, এটা কামকে কৰো" এই ভাবি লাহে লাহে টোপোলাটো মেলি এটা দুটাকৈ বস্তু উলিয়াই মাটিত থৈ যাবলৈ ধৰিলো। কিন্তু কি আচৰিত, বস্তুবোৰ টোপোলাৰ পৰা উলিয়াই থোৱা ঠাইতে কেণা-আঙুলিটো সোমাব পৰা এটা ফুটা আছিল। মই ভাবিছিলো সেইটো পৰুৱাৰ গাঁত। সেই ফুটাইদি টলৰ টলৰ কৰে মোৰ বস্তুবোৰ এটা এটাকৈ সৰকি তলৰ পৃথিৱীলৈ পৰিব লাগিছে দেখোন। মই দেখিতো অবাক! স্বৰ্গখন এনে "বে মেৰামত" কিয়?

ইয়াত পাবলিক্ ওৱৰ্কচ্, লোকেলবৰ্ড আৰু মিউনিচিপেলিটী নাইনে কি? কিয় নহব অৱশ্যে আছে। ভাবিলো পাবলিক্-ওৱৰ্কচ্, লোকেলবৰ্ড-মিউনিচিপেলটী-চেকিয়ে আমাৰ পৃথিৱীত যেনেকৈ ধান বানে, ইয়াতো সেই দৰেই বানে। তাতো চেক্কচ্ ইয়াতো সেই চেক্কচেই। স্বৰ্গৰ ঢেঁকি বুলি চেক্কচৰ ঠাইত মুকলিৰ মাত নোমাতে। অসমীয়া সংস্কৃতজ্ঞ "পণ্ডিতে" কৰৰ নিচিনা "দূৰাৎ চ পৰ্ব্বতা ৰম্যা ওচৰাৎ তু খলা ৰমা।" দূৰৰ পৰাহে স্বৰ্গ। এনেখন স্বৰ্গলৈকে আহিবলৈহে মানুহে দান-পুণ্য, হোম-যাগ আদি ইমানবিলাক কষ্ট-সাধ্য

কাম কৰি হেপাহ কৰি মৰে। নেলাগে বোপাই মোক স্বৰ্গৰ সুখটো, কামদেউ আহিলে পৃথিৱীৰ নৰা পৃথিৱীলৈ গুচি যামগৈ। তাত টোপনি নোহোৱাকৈ গোটেই ৰাতি খপো সিও ভাল, তেও মই এনে চেকি-স্বৰ্গত নেথাকোঁ।—ইমান অকণমাণ বিন্ধা-টোৱেদি নো মোৰ ডাঙৰ ডাঙৰ বস্তবোৰ কেনেকৈ তললৈ সৰকি পৰিছে ঐ? স্বৰ্গৰ দেখোঁ সকলো কথাই অদ্ভুত।

এই বিলাক ভাবি থাকোঁতেই দেখিলোঁ, মোৰ বস্ত সৰকি পৰি আদখিনীয়া হলেই। আপদকাল উপস্থিত হলে "অৰ্দ্ধং ত্যজতি পণ্ডিতঃ, অৰ্দ্ধেন কুৰুতে কাৰ্য্যঃ।" যি গল গল, যি পাবো তাকে ৰাখোঁ, ভাবি একে সোপেই উঠি কুটাটোত কেঁয়া আঙুলি এটা সোমাই সোপা মাৰি ধৰিলো। অলপমান বেলি এই দৰেই ধৰি আছোঁ, কিন্তু ভাবি পোৱা নাই কিহেৰে কুটাটো একে বেলিয়েই মাৰো। স্বৰ্গলৈ আহি মোৰ বুদ্ধিটোও আকোৱালি নোপোৱা হল নে কি? এনেতে হঠাৎ কাণত পৰিল "নঙ্গা ক'ত ক'ত।" ভাবিলো, স্বৰ্গতো কুকুৰা চৰাই আছে; বেছ কথা সুবিধাই। এই কথা ভাবি থাকোঁতেই দুৱাৰত ঠক্ ঠক্ শব্দ শুনিলো। শুনি মনত হৰিষ মিলিল; ভাবিলো, কামদেউ বোৱেকে সৈতে উভতিল।

মই—(খিঙ্গিয়াই) দুৱাৰখন হেচা মাৰি দিলেই মেল খাব; ভিতৰৰ পৰাতো মই ডাং দিয়া নাই। মই নেলিবলৈ উঠি যাব নোৱাৰো, গলেই বাকী কেটা বস্তও সৰকি পৰিব।

নগুৰা—(বাহিৰৰ পৰা) দেউতা চাহ আনিছোঁ।

মোৰ নগুৰাটোৰ মাত যেন শুনিলো। ভাবিলো ইনো স্বৰ্গলৈ আহিল কেনেকৈ? মোৰ দুখ হয় বুলি কামে ইয়াকো আনি থৈ গলহি হবলা। ভালেই হল।

নগুৰা—(বাহিৰৰ পৰা) দেউতা, চাহ আনিছোঁ, ভালেমান বেলি হল, উঠক।

মোৰ চকু দুটা চাঁট কৰে মেল খালে। সাৰ পালো। সাৰ পাই দেখিলো মোৰ সোঁ কাণখনৰ বিন্ধাত সোঁ হাতৰ কেঁয়া আঙুলিটো সোমাই আছে, আৰু মই মোৰ সেই, চৰা-ঘৰতে শুই আছোঁ।

চোৰ

প্ৰমথ আধ্যা

ইন্দুমতীৰ বৰ নৰীয়া। তিনি মাহ তেওঁ পোৱা-পাটিৰ পৰা উঠিব পৰা নাই। আজি নৰীয়া টান। গিৰিয়েক লোকেশ্বৰ বৰুৱা কাষতে বহি ৰাতি পৰ দি আছে। ৰাতি তিন পৰমান হৈছে, ইন্দুমতীয়ে গিৰিয়েকক ঠাৰ দি নিচেই কাষলৈ মাতি আনি ক্ষীণ মাতেৰে কলে—"আজি তিনি মাহ মই পোৱা-পাটিত পৰি নৰীয়া গাই কটাইছোঁ। ঘৰেঘৰোৱাহে মানুহক কষ্ট দিছোঁ। আপুনি মোৰ পৰা নথৈ দুখ পাইছে। লোকে তিৰোতাৰ পৰা সুখ পায়। আপুনি মোৰ পৰা সুখ-সম্পদ পাওক ছাৰি এদিন এসাজ ভাত সুখেৰে—"

লোকেশ্বৰ—"তোমাক এইবিলাক কথা কবলৈ কোনে মাতিছে? মনে মনে থাকা; কথা কলে নৰীয়া বাঢ়িব।"

ইন্দুমতী—"নৰীয়া আৰু বাঢ়িবলৈ কি আছে। এতিয়া আৰু মই সিপুৰীলৈ ওলালো। মোৰ দুখৰ অন্ত হল, আপোনাৰো হল। —চন্দ্ৰক মৰম-বেথা কৰিব। আপুনি যদি আকৌ বিয়া কৰায়, ('যদি' কিয়, বিয়া কৰাবই লাগিব, মোৰ পৰাতো আপোনাৰ সুখ নহল।) মাহীমাকে যেন তাক দুখ নিদিয়ে।"

এই কথাষাৰৰ অন্তত ইন্দুমতীয়ে দুচকুৰে দুধাৰ লো বৈ গল, আৰু কথা বন্ধ হল। লোকেশ্বৰ বৰুৱাইও চকুৰ লো টুকিবলৈ ধৰিলে। "কি আকৌ মই বিয়া কৰাম? হে পৰমেশ্বৰ। মই ইমান অধম হৈছোঁ যে এই জনমত ইন্দুক পাহৰি আকৌ এজনী তিৰোতা থিয়া কৰাই আনিম? ঈশ্বৰ। মোক যেন এনে মতি নিদিয়া। মোৰ ইন্দুৰ যদি কোনো কথা হয় তেন্তে এই সংসাৰত মোৰ বাকী কেইটা দিন—ইন্দু। ইন্দু। তেনে কৰিছা কিয়? ইন্দু।"

ইন্দুমতী—"কি হৈছে? চন্দ্ৰক মোৰ কাষলৈ এবাৰ আনি দিয়ক, মই চাই লওঁ। অ'—সি শুই আছে হবলা, তুলিলেই কান্দিব, থাওক। শুনক মই আপোনাক কওঁ। আপুনি আকৌ বিয়া কৰাব। আপোনাৰ সুখেই হে মোৰ মনৰ বাঞ্ছা। বিয়া নকৰালে কি জানি আপোনাৰ দুখ হব। মই গলে আপোনাৰ আলপৈচান ধৰিব কোনে? আপোনাৰ সেৱা কৰিব কোনে?"

লোকেশ্বৰ—"নিশ্চয় নিশ্চয় মোৰ পৰা তেনে কাম নহয়। চন্দ্ৰলৈ মই মাহীমাক নানো। তোমাৰ মৰম-চেনেহ সোপাকে পুৰি নেখালে মই তেনে কাম কৰিম কেনেকৈ? এই পৃথিৱীত মোৰ এবাৰ হে বিয়া। ইন্দু। ইন্দু। ইন্দু। মোক এবাৰ চকু মেলি চোৱা। ইন্দু। ইন্দু।"

ইন্দুমতী—“কি ?”

লোকেশ্বৰ—“চোৱাঁচোন, চকু মেলি চোৱাঁ।”

লাহেকৈ চকু মেলি, অতি ক্ষীণ মাতেৰে ইন্দুমতীয়ে কলে, “স্বামী-গুৰু আপোনাৰ ভৰিটো মোৰ মূৰত তুলি দিয়ক স্বা—মী—গু—ৰু—।”

লোকেশ্বৰ—“ইন্দু! ইন্দু! ইন্দু! ইন্দু! হায়! মোৰ ইন্দুক হাততে হেৰুৱালো হৰলা! ইন্দু! ইন্দু! ইন্দু!”

০ ০ ০ ০

বন্তি নুমাল।

দ্বিতীয় আধ্যা

চক্ৰধৰ ফুকন শিৱসাগৰৰ এজন ডাঙৰ লোক; কাছাৰীৰ আমোলা। তেওঁৰ “আমোলাপটিত” ঘৰ; এগোহালি গৰু; এভড়াল ধান; এবাৰী তামোল-পাণ; এবাৰী বাঁহ; এপুখুৰী পানী, আৰু সকলে-বৰে বাৰটা ঘৰ। অৱশ্যে বৰ্তাহত তিনিটা ঘৰৰ মুধচ, আজি এবছৰ হল উৰি গৈছে; দুটাৰ ছালেদি চৰগ দেখি; পাঁচোটাৰ বেৰ “মেৰামতৰ” অপেক্ষাত আছে; এটাৰ বেৰে চকুলৰ তাপলি পাইছে; আৰু এটাই পিৰালিৰ পৰা চুৱাপাতনি ধৰা পাইছে। কিন্তু আমি ফুকনৰ ঘৰৰ সেইবোৰ দোষ গুণত আজি চকু দিবলৈ অহা নাই। কাৰণ, সেইবিলাকত চকু দিবলৈ গলে তাৰ লগৰীয়া এইবিলাকতও আমাৰ চকু পৰিব; যথা:—তেওঁৰ ধানৰ মৰণা চ'ৰা-ঘৰৰ চোতালত ৰা ভিতৰত ম'ৰা হয়; আদগোহালি গৰু চৰা-ঘৰৰ ভিতৰত বন্ধা হয়; ভাত খোৱা মজিয়াত কেচু-মটা, বুলনি-ঘৰত কাঠ-ফুলা, পানীপোতাত নেগুৰীয়া পোক, নাওৰাত জেলুকী আৰু কেচু আৰু বাৰীৰ আগকালে পাচকালে কচু-ঢেকিয়া আৰু চোঁৰাতৰ বুকুৱা হাবি। ইয়াৰ লগে লগে ফুকনৰ মহাজনীয়া টকচ্ ঘোৰাটো, নেজখাবী মাখুন্দী হাতীজনী, লৰা পাঁচোটা, সৰু ছোৱালী দুজনী আৰু ফুকননীও চকুত পৰি যাব। এই বাবেহে কৈছোঁ বোলো আমাৰ ফুকনৰ ঘৰ-বাৰী আদিত চকু দিবৰ সকাম কি? তেওঁৰ যি আছে সেয়ে থাওক, আমি তাত হস্তক্ষেপ নকৰোঁ। ধুমুহাত তেওঁৰ ঘৰৰ মুধচ উৰি গৈছে যদি তেওঁ তাক চোৱাই লব, সেই কথা আমি গমি-গপি আমাৰ মূৰৰ ঘিউ খৰচ কৰোঁ কিয়? আমাৰ মূৰৰ ঘিউ আমাৰ ঘৰৰ মুধচৰ কুশলৰ অৰ্থে খৰচ কৰাই ভাল। ভগা-বেৰেদি যদি শিয়াল কুকুৰ ঘৰৰ ভিতৰলৈ সোমায়, তেওঁৰ ভাত-চৰু পেলনি যাব, বা তেওঁ টোকোন লৈ শিয়াল কুকুৰ খেদিব, তাত আমাৰ হৰণ-ভগন কি? চৰগ দেখা ছালে যদি উৰুখি পানী পৰে তেওঁৰ টপা মূৰ তিতিব, আমাৰ কি? পিৰালিৰ কাষত যদি চুৱাপাতনি পাতিছে তাৰ গোন্ধ-ভাপ সুগুণ-দুগুণ মহামতি চক্ৰধৰ ফুকনে ভুগিব, তাত আমাৰ লোকচান কি? এই নিমিত্তে সেইবিলাক কথাত বইচ বাইচ আজি আমি ‘নকৰন্তি’। এই পৃথিৱীত মত দুটা; নিজৰ আৰু লোকৰ। ফুকন ডাঙৰীয়া, লোকৰ মতে, উজনিত এজন লেখৰ মানুহ, আৰু নিজৰ মতে সমনীয়াশূন্য এজন মাথোন অগমীয়া ডাঙৰ মানুহ। কবলৈ পাহৰিছোঁ, ফুকনৰ দৰমহা দেৰকুৰি টকা; কেয়া-মুদীৰ ঘৰত ধাৰ বাৰকুৰি যাৰ টকা।

ফুকনৰ পাঁচোটা লৰা পাঁচ ৰকমৰ লেখা পঢ়াত পণ্ডিত হল। প্ৰথমটো হাতীৰ মাউত, অৱশ্যে ঘৰৰে হাতীৰ, দ্বিতীয়টো বন-বৰাগী; তৃতীয়টোৰ কথা পাচত কম; চতুৰ্থটো হালোৱা; আৰু পঞ্চম বা নুমলীয়াটো যাত্ৰাগানৰ ওজা।

তৃতীয়টোৰ সৈতে আমাৰ আজিৰ এই আখ্যানৰ সম্বন্ধ লাগিছে; সেই দেখি আন কেইটাৰ মাজৰ পৰা আমাৰ সম্বন্ধীয়া কুটুমক আঁতৰাই লৈ, আমি আজিৰ ইতিহাসৰ বাটত বাট খোলো। ফুকনৰ তৃতীয় লৰাটোৰ নাম পশুপতি। পশুপতিৰ ওপজা ক্ষণত কোন গ্ৰহ বহিছিল, সৌৰৱণী চাব জনা পণ্ডিতে হে কব পাৰে; আমি মাথোন তাৰ ফলাফল এই দেখিছোঁ যে সৰুৰ পৰা তাৰ মন চুৰ কৰাৰ ফালে আওচলীয়া। মাটি-মিঠা আমগছত চুণ যেন টেঙা আম হলে, কেনেকৈ তেনে হল, যেনেকৈ বুজিব নোৱাৰি, ধৰমী চক্ৰধৰ ফুকনৰ তেজৰ পৰা এই পশুপতি কেনেকৈ হল, ঠিক তেনেকৈ বুজিব নোৱাৰি। অমুক “গৰু-চোৰ” বুলিলে তুমি আমি যি বুজোঁহঁক, ভাল মানুহৰ পৰা পশুপতি সেয়েই হল। অৱশ্যে এক্ষে দিনাই যে পশুপতিয়ে এই মহাবিদ্যাত বিদগ্ধ বা দগধা উপাধি লভিছিল এনে নহয়; “এদেও দুদেও কৰিহে পশুপতিয়ে লোটা নিবৰ চেও” পাইছিল গৈ; আজি এখোপ কাইলৈ দুখোপকৈ উঠিহে পশুপতিয়ে মুধা পাইছিল। প্ৰথমতে ৰবচোৰ, তাৰ পিচত গৰু চোৰ, তাৰ পিছতহে আমাৰ পশুপতি দগধা-চোৰৰ শাৰীলৈ উঠিছিল।

তৃতীয় আধ্যা

খৰালি ব্ৰহ্মপুত্ৰত বালিৰ এনে একোটা ডাঙৰ চাপৰি পৰে, যে তাক দেখিলে কাৰ কেতিয়া বিশ্বাস কৰিবৰ মন যায়, যে বাৰিষা সেই চাপৰি, পানীত লোপ নাইকিয়া হোৱাদি চকুৰ পচাৰতে নাইকিয়া হব? লোকেশ্বৰ বৰুৱাৰ মনত, তিৰোতাৰ শোক আৰু দ্বিতীয়বাৰ বিয়া নকৰিবৰ প্ৰতিজ্ঞাস্বৰূপ যি

দুটা খালিৰ ধৰ চাপৰি পৰিছিল, শোকৰ খৰালি গৈ আনন্দৰ বাৰিষা আহিলত সি ভৰ সোঁতত কেনিবা ককখালৈ উটি গল। ইন্দুমতী ঢুকুৱাৰ তিনি মাহ বাওঁতে নেথাওঁতেই তেওঁ আকৌ বিয়া কৰাই ন তিৰোতা ঘৰলৈ আনিলে ; জাৰ-কালিৰ অন্তত তেওঁৰ জীৱনত আকৌ বসন্তই দেখা দিলে ; আকৌ—।

"প্ৰফুল্লচূতাঙ্কুৰতীক্ষ্ণসায়কো দ্বিৰেফমালাবিলসদ্ধনুর্গুণঃ।
মনাংসিভেত্তুং সুৰতপ্ৰসঙ্গিনাং বসন্তযোধঃ সমুপাগতঃ প্ৰিয়ে।"

নিশ্চয় কৈ কব পাৰোঁ, লোকেশ্বৰে নিজেও ভবা নাছিল যে তেওঁৰ মনৰ গতি এনেকৈ লৰিব। কিন্তু সংসাৰৰ এনেকুৱাই গতি। মানুহৰ মনৰ ওপৰত সময়ৰ এনেকুৱাই প্ৰভাৱ।

/জৰিগছৰ পুলিয়ে পুৰণি পকিবৰ শিপাই পেলোৱাদি অলপ বয়সীয়া নতুন ঘৈণীয়েকে বয়সীয়াল লোকেশ্বৰ বৰুৱাক অসংখ্য শিপাৰে অতি শীঘ্ৰে শিপাই পেলালে। তেওঁ এতিয়া ঘৈণীয়েকৰ "উঠ" কথাত জপিয়ায় আৰু "বহ" কথাত শোৱে। তেওঁ পাহৰিও এতিয়া ইন্দুমতীৰ নাম নকয়। ইন্দুমতী নাম এতিয়া তেওঁৰ কাণত বিহ-ফুল যেন তিতা। পেটৰ পোৱালি চেনেহৰ চন্দ্ৰ, লগনীয়া মাহীয়েকৰ অনুগ্ৰহত দুদিনতে বাপেকৰ অপ্ৰিয় হল।

আৰু এটা ন কথাই লোকেশ্বৰ বৰুৱাৰ গাত বাহ ললে। আগৰ খুন-পেঁচৰ ধাৰ নোধোৱা লোকেশ্বৰ, এতিয়া আদহীয়া বয়সত, খুন-পেঁচৰ ওচৰত ধাৰতে পোত খালে। আগে পিচে শেওঁতা, গাত গাত পাটৰ চোলা-চুৰিয়া, গোঁফত আতৰ আৰু মুখত আমোলৰ বাং আদিৰে লোকেশ্বৰে বুঢ়া বয়সৰ বুঢ়া টেকেলাক ভেটি দি, তেওঁৰ ওপৰত "চমন জাৰি" নকৰিবলৈ খাটি, মুখত এমোকোৰা হাঁহি লৈ ডেকালি কৈ কুৰিবলৈ ধৰিলে। ন ঘৈণীয়েকক দিনৌ কি কি ন উপায়েৰে তেওঁ সন্তুষ্ট কৰিব, তাৰ ভাৱনা-চিন্তাতে তেওঁৰ সময় নিযুক্ত হল।

চতুৰ্থ আধ্যা

ভাল মানুহৰ সমাজৰ পৰা নাম কটাই, পশুপতিয়ে সিদ্ধি-দিয়াসকলৰ সমাজত নাম লেখাই সিদ্ধি-দিয়া ব্যৱসায় বেগেৰে চলাবলৈ ধৰিলে। আজি অমুকৰ ঘৰত সিদ্ধি-দিয়া খাতৰি, কাইলৈ অমুকৰ ঘৰত সিদ্ধি-দিয়া খাতৰিত নগৰ তোলপাৰ লাগিল। চোৰ কোন? চোৰৰ চৰ্দ্দাৰ কোন? চোৰ পশুপতি। চোৰৰ চৰ্দ্দাৰ পশুপতি।

মৰা আউসী। ৰাতি দুপৰ। লোকেশ্বৰ বৰুৱাৰ দুই নাকত বাজে গোটেই জগৎ নিৰাতনিতাল। এনে সময়ত বৰুৱাৰ শোৱনি ঘৰৰ বেৰত টক্-টক্-টক্ তিনটা টোকৰ পৰিল। ক্ষন্তেকৰ পিছতে শোৱনি ঘৰৰ দুৱাৰ মুকলি হল আৰু এজনী তিৰোতা মানুহ ভিতৰৰ পৰা ওলাই গৈ বাহিৰত থিয় হৈ থকা আন এটা মানুহৰ ডিঙিত সাবট মাৰি ধৰি সুধিলে, "তুমি আহিলা! বাট চাওঁতে চাওঁতে মোৰ আমনি লাগিছিল। তুমি আজি ইমান পলম কৰিলা কিয়?"

বাহিৰৰ মানুহটোৱে কলে, "পলম হোৱাৰ অৱশ্যে কাৰণ আছে। মই শুনিলোঁ তোৰ গিৰিয়েৰ হেনো নগাঁৱলৈ বদলি হৈছে ; আৰু ৬।৭ দিনৰ ভিতৰতে সি তোক লৈ হেনো নগাঁৱলৈ যাব ; সঁচা নে?"

"সঁচা।"

নকলেও হব যে ভিতৰৰ পৰা দুৱাৰ মেলি ওলাই যোৱা তিৰোতা মানুহজনী লোকেশ্বৰ বৰুৱাৰ ন ঘৈণীয়েক।

মানুহটো—"তেনেহলে তই মোক এৰি যাবলৈ ওলাইছ?"

বৰুৱানী—(চকুৰ লো টুকি) "মইনো কি কৰিম?"

মানুহটো—"কি কৰিবি? বুধি পোৱা নাই?"

বৰুৱানী—"মই তো বিবুধি।"

মানুহটো—"বিবুধি? মই যি কওঁ কৰিবি?"

বৰুৱানী—"কি?"

মানুহটো—"কৰিবি জানো?"

বৰুৱানী—"কৰিম।"

মানুহটো—"এইখন দাৰে গিৰিয়েৰক এতিয়াই কাটি পেলা।"

বৰুৱানী—"ইস্ ৰাম! মই কেনেকৈ মানুহ কাটিম!"

মানুহটো—"কেনেকৈ কাটিবি? বুজিলো তই মোক ভাল নেপাৱ।"

বৰুৱানীয়ে এই কথা শুনি মানুহটোৰ ডিঙিত সাবটি ধৰি কান্দি কবলৈ ধৰিলে, "প্ৰাণেশ্বৰ! এনে নিদাৰুণ কথা কিয় কলা? মই তোমাক ভাল নেপাওঁ? হৰি হৰি! মই তেন্তে কাৰ মুখ চাই জীয়াই আছোঁ? মানুহ কাটিবলৈ মোৰ ভয় লাগে দেখিছে।"

মানুহটো—"ভয় লাগে? বাৰু কাটিব নেলাগে। তোৰ গিৰিয়েৰে ৰাতি পুৱাই পুৱাই আহোঁতেই

নিতৌ উঠি সেই মুৰ-শিতানৰ কাষত থকা লোটাটোৰ পানী খায় নহয় ?"

বৰুৱানী—"খায় ।"

মানুহটো—"তেন্তে নে এই ডোখৰ শিহ ; সেই পানী লোটাত এতিয়াই পেলাই থ ।—কি ভাবিছ ? কৰিবি নে নকৰ ?"

বৰুৱানী—"বাৰু কৰিম ।"

মানুহটো—"বাৰু কি ? মই জানিছোঁ তই নকৰ । মই তেনেহলে গুচি যাওঁ ।"

বৰুৱানী—"নেযাবা নেযাবা, খং নকৰিবা, মই এতিয়াই কৰিম ; এতিয়াই কৰিম !"

ইয়াৰ পিছত দুয়ো বিদায় হল ।

পঞ্চম আধ্যা

কাল ৰাতি পুৱাই আহিল । পূবে ফেহুজালি দিলে । কুকুৰাই ডাক দি মানুহক টোপনিৰ পৰা উঠি নিজ নিজ কামত লাগিবলৈ জগাই দিলে । লোকেশ্বৰ বৰুৱাই মোহ নিদ্ৰা পৰিহাৰ কৰি, ইষ্ট দেৱতাক সুমৰি হাত মেলি লোটাটো আনি যেই মুখত পানী ঢালিবলৈ ধৰিছে, "হে নেখাব ! নেখাব !" বুলি এটা মানুহে বিজুলী-সঞ্চাৰে বৰুৱাৰ শোৱা ছালপিৰাৰ তলৰ পৰা ওলাই আহি তেওঁৰ হাতত ধৰিলে । বৰুৱাই ভয়ানক উচপ খাই থৰ্ থৰ্ কৰে কঁপিবলৈ ধৰিলে ; হাতৰ লোটা সৰি মাটিত পৰিল, আৰু বৈণীয়েকে সৈতে একে বেলিয়েই "চোৰ ঔ" বুলি গছৰ পাত-সৰা চিঞৰ লগাই দিলে । ততালিকে বৰুৱাৰ ঘৰৰ ওচৰ-চুবুৰীয়া মানুহেৰে উপচি পৰিল । চোৰ বান্ধত পৰিল আৰু টকৌপাতৰ ওপৰত ঘৰ্ঘুণৰ শিল পৰাদি তাৰ পিঠিত ঢকাটো ভুকুটো চৰটো গোৰটো পৰিবলৈ ধৰিলে । চকু-চাওঁতেই চাৰিও-ফালে এক হুলস্থূল কাণ্ড লাগি পৰিল ।

এই চোৰ সকলোৰে চিনাকি । আমাৰো । নকলেও হব যে চক্ৰধৰ ফুকনৰ বংশধৰ পুতেক সেই পশুপতিয়েই এই চোৰ । "মাৰ ! মাৰ ! মাৰ ! সিংহৰ পোৱালি শিয়াল হল ! ভাল মানৰ পুলি বৰবাণিত গজিল !" অভ্যাগতসকলে মুখত এই কথা আৰু হাতত কিল-ভুকু লৈ পশুপতিক সম্ভাষণ কৰিবলৈ ধৰিলে । "ৰাইজহঁত মোক নেমাৰিবি ঐ ! ৰজাৰ শৰণ । মই কি কওঁ আগেয়ে শুন ।" পশুপতিৰ এই কাকুতিৰ উত্তৰত সকলোৱে, "চোৰে আকৌ কি কবি ? চোৰ বুলিলেই শুৱ," এই বুলি আকৌ এজাউৰি গপ্ গপ্ কৰে কিল শোধালে । উপস্থিতসকলৰ গাৰপৰা খংৰূপী "ষ্টীম" হো হো কৰে কিছুমান ওলাই গ'লত, "বাৰু কি কব খুজিছ ক" বুলি পশুপতিৰ ওপৰত ৰাইজৰ অনু-মতি হ'ল ।

পশুপতিয়ে কবলৈ ধৰিলে—"ৰাইজসকল ! মই নেকেৰাওঁ । চোৰৰ বিদ্যা শিকি গুৰুলা গুৰুল কিলতৈ ভয় কৰিলে কি হ'ব ? কিন্তু আপোনা-সকলে বিচাৰ কৰি মোক কিলাওক বা কাঁচীত দিয়ে ৰৰশীত দিয়ে দিয়ক । মই সকলো কথা ভাঙি কওঁ । গলা ৰাতি মই বৰুৱাৰ ঘৰত চুৰ কৰিবলৈ আহি তেওঁৰ শোৱাচালপিৰাৰ তলত সোমাই আছিলোঁ ; বোলো বৰুৱা-বৰুৱানীৰ টোপনি আহিলে মোৰ কাৰ্য্য সিদ্ধি কৰি গুচি যাম ।"

ৰাইজ—"পাষণ্ড !"

"গিৰিহঁত গিৰিহঁতনীৰ ভালকৈ টোপনি আহিবলৈ বাট চাই আছোঁ । ৰাতি দুপৰ হ'ল, গিৰিহঁতৰ টোপনি আহিল, গিৰিহঁতনীৰ অহা নাই ।"

ৰাইজ—"অহাহেঁতেন হৈছিল আৰু কি । তই মুৰতে টাঙোন মাৰিলিহেঁতেন ।"

"এনেতে দুৱাৰত তিনিটা টোকৰ পৰা শুনিলো । তাৰ পিছত দেখোন গিৰিহঁতনী লাহেকৈ উঠি বাহিৰলৈ গ'ল । মযো চালপিৰাৰ তলৰ পৰা লাহেকৈ ওলাই হাতত-গাৰে ভৰিত-গাৰে পিছে পিছে গৈ, কি কথা কি নতুনা দুৱাৰ-চুকৰ পৰা লুকাই চাবলৈ ধৰিলোঁ । গিৰিহঁতনীয়ে এটা মানুহৰ ভিতিত সাৱট মাৰি ধৰি তাৰ অভাৱ পলম হোৱাৰ কাৰণ সুধিলে । সি কলে, 'মোক এদি তই তোৰ গিৰিয়েৰৰ সৈতে নথাকিবলৈ যাব খুজিছ, এনে কথা হ'ব নোৱাৰে । যদি তই মোক ভাল পাৱ, তেন্তে তোৰ গিৰিয়েৰক আজিয়েই কাটি পেলা ।' বৰু-ৱানীয়ে গিৰিয়েকক কাটিবলৈ অমান্তি হোৱাত সি তেওঁৰ হাতত এডোখৰ শিহ দিলে, 'এই ডোখৰ শিহ তোৰ গিৰিয়েৰৰ খোৱা পানীত নিহলাই দি তাক মাৰ ।' গিৰিহঁতনীয়ে সেই কাম কৰিবলৈ গাত লোৱাত সি গুচি গ'ল । মই লাহেকৈ আহি আকৌ ছালপিৰাৰ তলত সোমালো । বৰুৱানীয়ে তেতিয়াই, বৰুৱাৰ মুৰ-শিতানৰ কাষত থকা পানী লোটাত সেই শিহ ডোখৰ পেলাই দি পাটিত উঠি শুই পৰিল । মই দেখিলোঁ যে এই অসতী মহাপাপী তিৰোতাজনীয়ে এতিয়া নিজৰ গিৰিয়েকক বধ কৰে ; তেহেলৈ মোৰ যি হয় হওক, মই কেতিয়াও এনে কাৰ্য্য হবলৈ নিদিওঁ । ইয়াকে মনত থিৰাং কৰি মই ওলাই সপৈ পুৱালৈকে সেই ছালপিৰাৰ তলতে আছিলো । আৰু ৰাতি পৰালত বৰুৱা

উঠি সেই বিহ দিয়া পানী খাবলৈ ধৰাত মই ছাল-পিবাৰ তলৰ পৰা ওলাই তেওঁৰ সেই পানী খাবলৈ হাক দিছিলো। ইয়াৰ পিছত চোৰ বুলি হুৰামুৰা লাগি পৰিছে; আৰু আপোনাসকলেও মোক বান্ধি-ছাতি কিলাইছে। এই কথা হয়নে নহয় এই গিৰিহঁতনীক সোধক।"

এই বৃত্তান্ত শুনি সকলো কাঁহ-পৰি-জিন গ'ল। লোকেশ্বৰ বৰুৱাৰ চেনেহৰ নবৈণীয়েকে, চোৰে-কোৱা সকলো কথা সৈ কাঢ়িলে।

সামৰণি

সেই দিনাৰ পৰা পশুপতিৰ স্বভাৱ গোটেই বদলি হ'ল। গছৰ ডালত পৰি থকা এজোৰ কৰচন চৰাইৰ এটাক, ব্যাধ এটাই কঁড়িযাই মৰা দেখি ৰত্নাকৰৰ যেনে অতি অদ্ভুত পৰিবৰ্ত্তন ঘটিছিল, আজিৰ এই ঘটনা দেখি পশুপতিৰ তেনে পৰিবৰ্ত্তন ঘটিছিল। শেষ কালত পশুপতি এজন জ্ঞানী ধৰমী আৰু সৎলোক বুলি খ্যাত হৈছিল।

পুত্ৰৱান পিতা

প্ৰথম আধ্যা

:কোনো কাৰ্য্য উপলক্ষে কিছু দিন আচান্সোলত বসতি কৰিছিলো। আচান্সোল ইষ্টইণ্ডিয়া ৰেল কোম্পানীয়ে কৰা এখন চহৰ। এখন সৰু গাঁৱৰ পৰা অলপ কালৰ ভিতৰতে ই এখন মুখীয়াল চহৰৰ শাৰীলৈ আহিল। ইষ্টইণ্ডিয়া ৰেল কোম্পানীয়ে এটা তিলক ৰেল কৰি তুলিলে বুলিব লাগে। পৃথিবীৰ ভিতৰত যি কেইটা বিখ্যাত ইঞ্জিন চেড্ আছে, আচান্সোলৰ ইঞ্জিন চেড্ তাৰ ভিতৰৰে লেখৰ এটা। এই আচান্সোলৰ এদিনৰ এটি সামান্য ঘটনা, আজিৰ এই উপাখ্যানৰ বিষয়।

পুৱাৰ বেলিয়ে উদয়াচলত উঠি দশ দিকপালক সেৱা জনাই, ওৰেৰাতি উজাগৰে থাকি বৰণ সলোৱা জোনক শোৱনী ঘৰলৈ যাবলৈ কৈ, জোনৰ সোণৰ ভাৰ-পাচিজোৰৰ কান্ধ-মাৰিডাল কান্ধ পাতি লৈছে মাথোন; মইও ওফোন্দাগালী গোমোঠামুখৰ টোপনিক শোৱাপাটিৰ নিহালিৰে সৈতে কাতিকৈ থৈ, প্ৰাতঃকৃত্যাদি সমাপন কৰি, চাহপানী আৰু ৰুটি মাখনৰ ভাৰৰ শিকিয়া জোৰ মোৰ ৰাৰেওটি কালৰ সমল আলসুৱা পেটটিৰ কোমল কান্ধত লাহেকৈ দিছোঁ মাত্ৰ; এনে সময়তে ঘৰৰ আগচোতালৰ কুলিবাৰীৰ দুৱাৰ মুখৰ পৰা "হিন্নীচে যাও" কেৰকেৰীয়া মাত মোৰ কাণত পৰিল। হঠাৎ ইমান পুৱাই মোৰ দুৱাৰৰ ওপৰত উঠি-বজা বহি-বজা দুৱৰী মহাবীৰ প্ৰসাদ তেৱাৰীয়ে, ইন্দ্ৰৰ বজ্ৰক লাজ দিব পৰা কঠুৱা ডিঙিৰে কোন দুৰ্ভগীয়াক দুৱাৰ মুখৰ পৰা দূৰ হবলৈ হুকুম কৰিছে বুজিব নোৱাৰি মই পোনতে চভক্ মাৰিলো; আৰু মনত খেলাল, ভাগৱতত লিখা তাহানিৰ সনক-সনাতনকে আদি ঋষি চাৰি সিদ্ধই, বৈকুণ্ঠ পুৰীৰে সৈতে জোৰ মাৰিব খোজা মোৰ এই এলান্ধু-কলীয়া খাপৰীৰ বজলাত সোমাই থুলন্তৰ পুৰুষ স্বয়ং মোৰে সৈতে পুৱাতে 'ঠাওাই ঠাওাই মুলাকাত' কৰিবলৈ আহিছে নে কি? নাইবা দাৰোৱান কুলৰ আকাশ-বন্তি মহাবীৰ প্ৰসাদে ৰাতি-পুৱাই দিনটোলৈ জয়-বিজয় মূৰ্ত্তি ধৰিবৰ কাৰণ কি? "বেটা" ঋষিসকলৰ শাপত পৰে এতিয়া আৰু সৰহ বেলি নাই; অৱতাৰৰ ভাৰ মোৰেই মূৰত পৰিল দেখিছোঁ; নাইবা কাৰ গৰজ কোনে তাক উদ্ধাৰ কৰিবলৈ এই ভু-ভাৰতত অৱতাৰ হবলৈ গাত লব?

> "সেৱকক যদি কৰে অপকাৰ,
> ছোৱে অপযশে স্বামীক তাৰ।"

এক মুহূৰ্ত্তৰ ভিতৰতে মোৰ মনত ইমানবিলাক ফুচুং ভাবৰ খেলিমেলি লাগিল দেখি কাওটো কি, চাই চকু-কাণৰ খৰিয়ালকে ভাঙো বুলি লাহেকৈ "বাৰাণ্ডাৰ" আৰকাপোৰখন একতীয়াকৈ থৈ বিলাতী খুৰেৰে চিকুনৰা নিকা মুখখন দীঘল নাকটোৰে সৈতে উলিযাই দিলো। দেখোঁ, চাৰি সিদ্ধৰ এক সিদ্ধও নাই। তেওঁবিলাকৰ বদলি ফটা চুৰিয়া পিন্ধা এটা লুৰ্লুৰীয়া বুঢ়া বামুণ, ফুলনি বাৰীৰ মেল খাই থকা দুৱাৰেদি সোমাই তললৈ মূৰটো গুজি মোৰ ঘৰৰ ফাললৈ আহিব লাগিছে; আৰু মহাবীৰ প্ৰসাদৰ "নিকাল যাও" "নিকাল যাও" চিঞৰ, যেন বুঢ়াৰ কাণৰ বিষ্কাৰ মুখত "প্ৰবেশ-নিষেধ" লেখি আৰি দিয়া চাইন্‌বোৰ্ড দেখি এটা এটাকৈ পিচহুঁকি পৰিছে। সি যি হওক, হুকুম উলঙ্ঘনকাৰীক বলেৰে শাসনৰ তললৈ আনিবৰ মনেৰে মহাবীৰ প্ৰসাদে, ভোৰোলা ছাগলীৰ দাড়িৰ দৰে ওলোমা দীঘল দাড়ি জোকাৰি, সেই হাৰ-ছাল ওলোৱা বুঢ়াক ধৰিবলৈ শেনটো অহাদি আহিছে দেখি, মই বাহিৰলৈ ওলাই ৰ ৰকৈ তাৰ বেগত "ব্ৰেক" টানি দি ততালিকে তাক কেঁচাৰ শাৰীলৈ "ডিগ্ৰেড্" কৰি, বুঢ়া বাপুক মাতি আনি মোৰ ঘৰৰ পিৰালিত বহুৱালো। বুঢ়াই ছানি পৰা ঘোলা চকুৰ পৰা ঘোলা চকু-লো টুকিবলৈ ধৰিলে। দেখি মোৰ মনত নথৈ দুখ লাগিল, মই বুঢ়াক যথাসাধ্য সান্ত্বনা দিবলৈ ধৰিলো।

বুঢ়াৰ বয়সে আশীৰ ডেওনা ডেইছে কি নাই ঠিক কৰ নোৱাৰো। মূৰত এডালিও চুলি নাই;

আনুপুৰাৰ খোলাটো "পালিচ" কৰাদি কোনোবাই যেন মূৰটো চিক্‌মিকীয়াকৈ পালিচ কৰিহে থৈছে। দাঁত নাইকিয়া সোতোৰা পৰা মুখখন দেখিলে সহজে মনত নেখেলায় যে একালত সেই মুখ ডালিম-গুটীয়া দাঁতে পোহৰাই থৈছিল। প্ৰায় পোন্ধৰ মিনিটমান বুঢ়াই কোনো কথা নকৈ কেৱল দুই চকুৰ পৰা দুধাৰ লো টুকিলে। সেই দৃশ্য দেখিলে কঠুৱা হিয়াও করুণৰসত দ্ৰৱ নহৈ থাকিব নোৱাৰে। কিছুমান বেলিৰ মূৰত বুঢ়াৰ শোকৰ খুন্দা কমি আহিল, মযো লাহে লাহে তেওঁৰ সবিশেষ বৃত্তান্তৰ আতি-গুৰি লবলৈ কাৰবাৰ কৰিলো। মোৰ প্ৰশ্নৰ উত্তৰত বুঢ়াই কবলৈ ধৰিলে, "পৰমেশ্বৰে তোমালোকৰ মঙ্গল কৰক। মোৰ দুখৰ কথা কবলগীয়া নহয়। এই নিদাৰুণ সংসাৰত এই দুখীয়াৰ প্ৰতি এধানমানো পুতৌ কৰোতা মানুহ আছেনে? হায়! এই এধামৰা এধাজীয়া অকামিলা বুঢ়াৰ দুখৰ কাহিনী শুনি চকুৰ পৰা এটোপা বেজাৰৰ লো পেলাবৰ মানুহ সঁচাকৈয়ে এই পৃথিৱীত আছেনে? নাই, নিশ্চয় নাই। মই ধ্ৰুৰূপ বুজিছো। এই বুঢ়া বয়সত এই নিষ্ঠুৰ সংসাৰত জীযাই থকাটোৱেই পাপ। বোপাইহঁত, তইঁতৰ সঁচাকৈয়ে ঘিণ লগা আৰু শোতাৰে সাৰি দলিয়াই পেলোৱা বুঢ়ালৈ মৰম লাগিছেনে? অসম্ভৱ অসম্ভৱ। মোৰ গাৰ তেজ মঙহ দি যাক গঢ়িলো, চৰাইয়ে পোৱালিক টোপ খুৱাই পাখিৰে আবৰি ডাঙৰ দীঘল কৰাদি যিবিলাকক ডাঙৰ দীঘল কৰি খুঁটি খাব পৰা কৰিলো, সিহঁতৰতো মোৰ প্ৰতি এক তিলো দয়া মায়া নহ'ল।" বুঢ়াই উচুপি উচুপি কান্দিবলৈ ধৰিলে। খন্তেকৰ মূৰত কান্দোন সামৰি আকৌ কবলৈ লাগিল, "তেনেহলে বোধকৰোঁ তুমি দয়ালু। এবা অৱশ্যে পৃথিৱীত এতিয়াও দয়ালু মানুহ আছে। এটাইবিলাক মানুহেই যদি সিহঁতৰ নিচিনা হলহেঁতেন তেন্তে আই বসুমতীয়ে পাপৰ ভাৰ সহিব নোৱাৰি নিশ্চয় ৰসাতললৈ গ'লহেঁতেন। বোপাই তোমাৰ সেই বৰকান্দাজটোৱে যে মোক তোমাৰ ঘৰৰ চোতালৰপৰা গতিয়াই উলিয়াই দিব খুজিছিল, সি ঠিক কামকে কৰিছিল। তাৰ দোষ কি? সি তাৰ কৰ্ত্তব্য কৰিছিল; কাৰণ প্ৰকৃত পক্ষে মই এটা ভিকহ মগনিয়াৰ, বাটৰ কুকুৰ নহওঁ নো কি? হায় বিধি। অম্বিকা-কালনাৰ নয়নচাঁদ মুখুৰ্য্যাৰ পুতেক কৃষ্ণচন্দ্ৰ মুখুৰ্য্যা সঁচাকৈয়ে আজি বাটৰ ভিকহ? কেলেহুৱা কুকুৰ। তাৰ নিজা ঘৰ-বাৰী খেতিপথাৰ গুটি-ধান গছী-ধানৰ ভৰাল আছিল নে বোপাই? নাই, নাই, নাছিল, নাছিল। দুৰ্কপলীয়া তাৰ কোনোকালে একো নাছিল। কিবা আছিল বুলি যদি তোমালোকে ভাবিছিলা সি মিছা গোটেই মিছা উবা বাতৰি, অৰু নপতিয়াবাইক। আজি সঁচাকৈয়ে সি ভাল দৰিদ্ৰ, ছুৱাপাতলিৰ কুকুৰ।"

হাতীমূৰীয়া মূৰত তিনহতীয়া ওখ মথুৰা পাগুৰি মাৰি, ঠিক এনে সময়তে, দাৰোৱান মহাবীৰ প্ৰসাদ তেৱাৰীয়ে গজগতি গমনেৰে এখোজ দোখোজকৈ মোৰ ফাললৈ আগবাঢ়ি আহি দীঘল চেলাম সোধাই সিংহৰ মাহীয়েক খুৰী ছাগলীৰ দৰে দীঘল দাড়ি জোকাৰি "বয়ান" কৰিলে। "হুজুৰ, এইঠু পাগ্‌লা হ্যায়! ইছ্‌কু নিকাল দেনেচে আচ্ছা।" দাৰোৱান-জীৰ ইমানটো সধুৰ কথাৰ সন্নিধান মই ধংমূৰাকৈ পাতলাই দিয়াত, ডাক জুইৰ তাপত বেটুৰে সৈতে বৰবেঙেনা টোটোৰা পৰাদি পাগুৰিৰে সৈতে তাৰ বৰ মুখখন টোটোৰা পৰি গ'ল। সিংহজীয়ে ভজ দি হুইঁকি গলত, "দেউ, আপুনি এতিয়া গা পা ধুই আজিলে ইয়াতে খাই বই অলপ জিৰাই-সতাই লওক, মই আপোনাৰ সকলো দিহা পোহা কৰি দিওঁ" এই বুলি বুঢ়াক মিঠা কথাৰে আশ্বাস দি এই ঘটনাৰ প্ৰথম আধ্যাৰ ওৰ পেলালো।

দ্বিতীয় আধ্যা

দুপৰ ব'দত লেৰেলা পৰা গছৰ পুলিয়ে পানী-দুনি আৰু ছাঁ পাই গধূলি ঠন ধৰা দি, খাই-বই বুঢ়াই অলপ ঠন ধৰিলে। মই লাহে লাহে কুহু-লিয়াই কুহুলিয়াই তেওঁৰ আতি-গুৰি লবলৈ ধৰিলো। বুঢ়াই কবলৈ ধৰিলে,—"ডাঙৰীয়া। মোৰ ঘৰ বৰ্দ্ধমানৰ অম্বিকা-কালনাত। মোৰ বোপাইৰ নাম নয়নচাঁদ মুখুৰ্য্যা আছিল। মোৰ নাম শ্ৰীকৃষ্ণচন্দ্ৰ মুখুৰ্যা। বৰ্দ্ধমান ৰজাৰ কাছাৰীত মোৰ পিতাই নায়েবৰ কাম কৰিছিল। পিতাই যদিও ডাঙৰ কাম কৰিছিল, তথাপি ধন সম্পত্তি কণবান বিশেষ তেওঁ একো ৰাখি যাব নোৱাৰিলে। পিতাৰ মৃত্যুৰ পিছত মই ৰাণীগঞ্জ কয়লাৰ কুঠিত চল্লিশ টকা দৰমহাত চাকৰি কৰিছিলো। মোৰ সৰাকীজন পৰম কৃপালু লোক আছিল। তেওঁ আমোলাবিলাকক বাপেকে পুতেকক চেনেহ কৰাদি কৰিছিল। বিধা-তাৰ ইচ্ছাত সকলোকে অনাথ কৰি আমাৰ অন্নদাতা যি দিনা অকালত কালৰ গৰাহত পৰিল, হায়! সেই দিনাই মোৰ দুৰ্দ্দশাৰ সূত্ৰপাত হল। কাৰণ, তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ কয়লাৰ কুঠিত নানা গোলমাল ঘটিবলৈ ধৰিলে আৰু শেহত কুঠি আন গৰাকীৰ হাতলৈ যোৱাত পুৰণি আমোলাবিলাকৰ ভিতৰত ভালেমানৰ চাকৰি গ'ল। সেই চাকৰি যোৱাবিলাকৰ ভিতৰত মযো এজন। চাকৰি কৰি যি অলপ অচৰপ ধন সাঁচিছিলো, তাৰেই ঘৰলৈ গৈ মাটি-বাৰী কিনি, খেতি-বাতি কৰি জীৱিকা নিৰ্ব্বাহ কৰিবলৈ ধৰিলো। বৰ পৰিশ্ৰমৰ ফলত মোৰ অৱস্থা ক্ৰমে ভাল হবলৈ ধৰিলে। কালক্ৰমত মোৰ এটা ভাল পকিঘৰ, এটা ডাঙৰ পুখুৰী, এগো-হালি গৰু আৰু তিনিটা ধানৰ ভঁৰাল হ'ল। দুটি

ল'ৰা, এজনী ছোৱালী আৰু সহধৰ্ম্মিণীৰে সৈতে সুখেৰে গাঁৱৰ ভিতৰত এঘৰ মুখীয়াল মানুহ হৈ কাল কটাবলৈ ধৰিলোঁ। আমাৰ গাঁৱতে এটা লৰাৰে সৈতে মোৰ ছোৱালীজনী বিয়া দি, পো দুটাক লিখা পঢ়া শিকাই ডাঙৰ দীঘল কৰি বিয়া বাৰু দি দুজনী বোৱাৰী ঘৰলৈ আনিলোঁ। এনেতে মোৰ পৰিবাৰ মৰে। মোৰ দুৰ্দ্দশাৰ দ্বিতীয় অধ্যায় আৰম্ভ এই খিনিতে। বুঢ়া কালত তিৰোতা মৰি যোৱা বৰ কষ্টকৰ। স্ত্ৰী শোকত কাঁতৰ হৈ মোৰ মনত বৈৰাগ্য উপজিল। সহধৰ্ম্মিণী বিহীন দুখৰ জীৱনৰ শেষভাগ পৱিত্ৰধাম বাৰাণসীত কটাবলৈ মনত সঙ্কল্প কৰি, ঘৰৰ পো দুটাক মাতি আনি মনৰ কথা ভাঙি কৈ মোৰ ধন সম্পত্তি যি আছিল গোপাকে সিহঁতক লেখা পঢ়া কৰি দি লেঠা ছিঙি ভাঙ্গৰীয়া হলোঁ। কাশীলৈ যাবলৈ উদ্যোগ কৰিছোঁ, এনেতে টান নৰিয়াত পৰি শয্যাশায়ী হলোঁ। কিছুদিনৰ পিছত নৰিয়া ভাল হল, কিন্তু মোৰ মনৰ পৰা কাশীলৈ যোৱাৰ সঙ্কল্প অলপ অলপকৈ কমনি যাবলৈ ধৰিলে। দিনক দিনে পো দুটিৰ মায়াই মোক টানকৈ বান্ধি আনিবলৈ ধৰিলে। আৰু মোৰ কাশীলৈ যাবৰ চিন্তা তল পৰি আহিল। নৰিয়াৰ সময়ত মোৰ ছোৱালীজনীয়ে মোক নখৈ সেৱা-শুশ্ৰূষা কৰিছিল। তাইৰ যত্নতেই মই শীঘ্ৰে আৰোগ্য হৈ উঠিলোঁ বুলিব লাগে। তাইৰ মৰমে মোক অনেক পৰিমাণে স্ত্ৰী-শোক পাহৰাই ৰাখিছিল। কিন্তু হায়! ঈশ্বৰে যাক দণ্ডিব খোজে তাৰ সুখ শান্তি কেনেকৈ হ'ব? মোৰ তিৰোতাৰ মৃত্যুৰ ঠিক পাঁচমাহৰ পিছত মোৰ ছোৱালী জনী আই ওলাই ঢুকাল। মোৰ দুৰ্দ্দশাৰ তৃতীয় আধ্যাৰ আৰম্ভ এই খিনিতেই।" এই বুলিয়েই বুঢ়াৰ কণ্ঠৰোধ হ'ল, ল'ৰাৰ নিচিনাকৈ উচুপি উচুপি কান্দিবলৈ ধৰিলে।

তৃতীয় আধ্যা

"কোৱা বাহুল্য, যে অতিৰিক্ত অপত্যস্নেহেই মোৰ ধ্বংসৰ মূল। পোনতে প্ৰবল স্ত্ৰী-শোকত পুৰি-ডেই সকলোবিলাক পৰিত্যাগ কৰি কাশীবাসী হম বুলি ভাবিছিলোঁ; কিন্তু শোকৰ বল কমাৰ লগে লগে সন্তানৰ প্ৰতি মায়া বাঢ়ি আহিবলৈ ধৰিলে। পোহঁতে চকুৰ পানীৰে চলচলীয়া হৈ কলে, পিতাদেউ, আমাক এৰি তুমি কলৈ যাবা? তুমি এৰি গলে, আমি কাৰ মুখ চাই থাকিম? আয়ে এৰি গ'ল, তুমিও যদি আমাক এৰি যোৱা আমি অনাথ হমহঁক। আই মৰি গ'ল আমি আছোঁ, তোমাৰ দুজনী বোৱাৰী আছে। আমি প্ৰাণপণে তোমাৰ সেৱা-শুশ্ৰূষা কৰি, তোমাক সুখে সন্তোষে ৰাখিবলৈ যতন কৰিমহঁক; তুমি নিশ্চিন্ত হৈ হৰিনাম গাবা, গোসাঁই পূজা কৰিবা, খাবা দাবা আৰু থাকিবা। সিহঁতৰ এই প্ৰবল যুক্তিত আগৰ পৰা গুৰি উভলি থকা মোৰ সঙ্কল্প সিপাই সৈতে কাতি হৈ পৰিল। হায়! তেতিয়া এবাৰো মোৰ মনত নেখেলালে যে অমৃতত বিহ আছে; ফুলৰ ভিতৰত বিষাক্ত পোক আছে। দহ দিন গ'ল, পোন্ধৰ দিন গ'ল, এমাহত পৰিল, মোৰ সুখৰ সপোন ভাঙি আহিবলৈ ধৰিল। অমৃতত বিহৰ গোন্ধ পালোঁ, ফুলৰ ভিতৰত লুকাই থকা পোক লাহে লাহে মোৰ চকুত পৰি আহিল। দিনে দিনে মই স্পষ্ট দেখি আহিবলৈ ধৰিলোঁ যে মোৰ মৰমৰ পোহঁতৰ মৰম-চেনেহ এফেৰা এফেৰাকৈ জোৰত কমি আহিবলৈ ধৰিছে। দিনে দিনে মোৰ চকুৰ আগত পৰিবলৈ ধৰিলে যে মোৰ ঘৰ-বাৰী, ধন-সম্পত্তিৰ ওপৰত মোৰ একো কথা নচলে। সেই সম্পৰ্কে যদি মই কদাকাচিৎ পোহঁতক সৎপৰামৰ্শ দিবলৈ ওলাওঁ, সিহঁতে তাক উপলুপ্ত কৰি উৰাই দি নোলৈ এনে ভাবে চায় যেন সেইবোৰ কথা মোৰ পক্ষে অনধিকাৰ চৰ্চ্চাহে। পোনতে এনেবোৰ দেখি মোৰ মনত বৰ বেজাৰ লাগিছিল যদিও, মনত এই বুলি প্ৰবোধ দিছিলোঁ যে সিহঁত ল'ৰা মানুহ, কিজানি বুজিব নোৱাৰি হে মোৰ সৈতে এনে অশোভন ব্যৱহাৰ কৰিছে। একো একোবাৰ সেই বাবে খঙো কৰিছিলোঁ। কিন্তু পিছে গৈ পোহঁতে লাজৰ ঢাকনি গুচাই দেখা দেখিকৈ অভদ্ৰ আৰু অস্বাভাবিক ব্যৱহাৰ কৰিবলৈ ধৰাত মোৰ ভ্ৰম দূৰ হ'ল। তেতিয়াহে বুজিব পাৰিলোঁ মই বুঢ়াই কি মূৰ্খামিকে কৰিলোঁ।

লাহে লাহে মোৰ পূজা, খোৱা, পিন্ধা ইত্যাদি আৱশ্যকীয় বিষয় বিলাকতো মোৰ পো আৰু বোৱাৰীহঁতৰ অৱজ্ঞাৰ ভাব ফুটি ওলাবলৈ ধৰিলে। ক্ৰমশঃ অৱজ্ঞা আহি অপমান আৰু লঘু-লাঞ্ছনাত পৰিল। সৰু বোৱাৰীয়ে নিতৌ মোৰ পূজাৰ নৈবেদ্য ফুল তুলসী আদি যতনাই দি আহিছিল; কালি পুৱা গা ধুই পূজা কৰিবলৈ গৈ গোসাঁই ঘৰ সোমাই দেখিলোঁ যে পূজাৰ আয়োজন একো নাই। ভাবিলোঁ কিজানি আজি বোৱাৰীয়ে পাহৰিলেই। ভালেখিনি বেলি বোৱাৰীহঁতক মাতি মাতি ভাগৰিলোঁ, কোনেও একো সমিধান নিদিলে। এনেতে দেখোন সৰু বোৱাৰী আহি মোৰ গাৰ কাষে কোষা অৰ্ঘা ফুল তুলসীবিলাক ছাটি মাৰি পেলাই দি গুচি গ'ল। কাৰণ সুধিলত তাই আকৌ মোকেই উৰাই ঘূৰাই গালি পাৰিলে। বৰ বোৱাৰীয়েও তাকৰ ফলীয়া হৈ মোক অপমান কৰিবলৈ সংকোচ নকৰিলে। পোহঁত কৰবালৈ গৈছিল, উভতি আহি মৈণীয়েকহঁতৰ চকুৰ পানীৰে দিয়া গোচৰ শুনি ঘৃতাহুতি হৈ মোক অবাচ্য ভাষাৰে গালি পাৰি ঘৰৰ পৰা ওলাই যাবলৈ কলে। দুখ অপমানত ম্ৰিয়মান হৈ, বিবিলাকক নিজৰ বুলি

ইমান দিন বুকুত বান্ধি আছিলোঁ, সেইবিলাকক জনাগুৰি দি কান্ধত এইখন গামোচা আৰু হাতত এইডাল লাখুটি লৈ, লাহে লাহে মেমাৰি ষ্টেচনলৈ আহি এজন ভদ্ৰলোকৰ পৰা আচান্সোললৈকে ৰেলৰ কেৰেয়া ফেৰা মাগি লৈ, এই পুৱাৰ গাড়ীত আহি ওলাইছোঁহি। ইয়াৰ পৰা খুজি মাগি কোনোমতে পৱিত্ৰ কাশীধামলৈ গৈ এই কলুষিত শৰীৰ বিসৰ্জ্জন দিব পাৰিলে, মোৰ জীৱনৰ শেহ আশা পূৰ হয়। ষ্টেচনতে এজন ভাল মানুহৰ মুখে আপোনাৰ বাতৰি পাই, ইয়াৰ পৰা কাশীলৈ যাবলৈ খৰচৰ নিমিত্তে পাইচৌপয়চাটো মাগিবলৈ আহিছিলোঁ। যাক মই ইহকালৰ সাৰ বস্তু বুলি ভাবি বুকুত বান্ধি আছিলোঁ সেই পোহঁতেই যেতিয়া মোক কেলেহুৱা কুকুৰৰ নিচিনাকৈ খেদি দিলে, আৰু এনে দুষ্ট সংসাৰত মোৰ জীয়াই থকাৰ সকাম কি?"

এই বুলি বুঢ়াই মুচকচ্ গৈ মাটিত বাগৰি পৰিল। মূৰত তেল-পানী আৰু বিচনীৰ বা দিয়াত অলপ পিছত মূৰত তেওঁৰ চেতনা আহিল। বুঢ়া ভালেমান সুস্থ হ'ল। কিন্তু সেই নিশাই তেওঁৰ বু-বুয়া জৰ হৈ পিচদিনা সাত বজাৰ সময়ত সেই পুত্ৰৱান পিতাই এই নিষ্ঠুৰ পৃথিৱীৰ সকলো দুখ-যন্ত্ৰণা ভৰিৰে ঠেলি পেলাই জগৎপিতাৰ আনন্দ কোলালৈ গুচি গ'ল। আমি তেওঁৰ শৰীৰৰ সংস্কাৰাদি যথা নিয়মে সমা' কৰিলোঁ।

জয়ন্তী

প্ৰথম আধ্যা

জয়ন্তী ডাঙৰ মানুহৰ জীয়াৰী, ডাঙৰ মানুহৰ ঘৈণী; সৰুতে বাপেকৰ ঘৰত সুখত উঠা, আৰু ডাঙৰত গিৰিয়েকৰ ঘৰত সৌভাগ্যৰ কোলাত লালিতা। দৈন্য-দৈত্যৰ তাড়নাত শাৰীৰিক কিম্বা মানসিক কষ্ট বাপেকৰ ঘৰত কি শহুৰৰ ঘৰত তেওঁ অনুভৱ কৰা নাছিল। কিন্তু সেই বুলি আন আন ডাঙৰ মানুহৰ জীয়াৰী বোৱাৰীৰ নিচিনাকৈ আলাসৰ লাড়ুটিৰ দৰে নিষ্কৰ্ম্মা হৈ সাজ-পাৰ, মেল-দোৱান আৰু আহাৰ-নিদ্ৰাদিতে মাথোন কাল কটাই ৰংপুৰৰ এই সম্ভ্ৰান্ত ধনী বামুণৰ জীয়াৰী ডাঙৰ দীঘল হোৱা নাছিল। বাপেকৰ ঘৰতে গুণৱতী মাকৰ যতন আৰু শিকনিত ভৱিষ্যত ঘৰুৱা জীৱনৰ প্ৰায় সকলো আৱশ্যকীয় কামত জয়ন্তী সুশিক্ষিতা হৈ উঠিছিল। আসামৰ ভাল মানুহৰ ঘৰৰ জীয়ৰীয়ে যিবিলাক বিদ্যাত পাৰ্গভালি লাভ কৰা উচিত, জয়ন্তী আইদেউৰ সেইবিলাক একো বাকী নাছিল। "টিক বলবা ওলাই মাটি, মাক ভালে জীয়েক জাতি," জ্ঞানী ডাকৰ এই বচন-টিয়ে জয়ন্তীত সাৰ্থকতা লাভ কৰিছিল। তেওঁ গুণৱতী, শিপিনী মাকৰ আহিত গঢ় লৈ আপোন গুণেৰে ৰংপুৰ নগৰ পোহৰ কৰিছিল। কোনোবাই যদি সোধে, ৰংপুৰৰ ভিতৰত ভাল কাপোৰ বয় কোনে? উত্তৰ দিব লাগিব, জয়ন্তী আইদেৱে। ভাল পাৰি দিয়া কাপোৰ কাৰ তাঁতৰ পৰা ওলায়? কব লাগিব জয়ন্তীৰ। বিয়াই সবাহে সুললিত মাতেৰে সকলোতকৈ সুৱলাকৈ কোনে নাম দিব পাৰে? জয়ন্তীয়ে। দশম, কীৰ্ত্তন, ঘোষা, ৰত্নাৱলী প্ৰভৃতি পুথিবিলাকৰ কথা, ৰংপুৰৰ ভিতৰত কোন ছোৱালীৰ জিভাৰ আগত? শুনিবা জয়ন্তীৰ। গা ধুই মূৰ আচুৰি, কপালত সেন্দুৰৰ ফোট, কাণত কেৰু, ডিঙিত মণি, হাতত খাৰু আৰু বগা পাটৰ ৰিহা-মেখেলা পিন্ধি হাত জোৰকৈ বাল সূৰ্য্যৰ সেই ৰৰণীয় কান্তি ধ্যান কৰিবৰ সময়ত বশিষ্ঠজায়া অৰুন্ধতীৰ নিচিনা সুন্দৰী দেখুৱায় কাক? স্বীকাৰ কৰিব লাগিব, ৰমানাথ বৰুৱাৰ ষোল বছৰীয়া সহধৰ্ম্মিণী শ্ৰীমতী জয়ন্তী দেৱীক। সঁচাসঁচিকৈয়ে ৰমানাথ বৰুৱাৰ পত্নী শ্ৰীমতী জয়ন্তী দেৱী পুৰণি আসামৰ ৰাজধানী ৰংপুৰ নগৰৰ মাজত সাবিত্ৰীৰ নিচিনা সতী, কমলাৰ নিচিনা সুন্দৰী, শচীৰ দৰে সৌভাগ্যৱতী বুলি ৰাষ্ট্ৰ আছিল।

দ্বিতীয় আধ্যা

আজি প্ৰায় এক শতিকা হবলগীয়া হ'ল, অসম দেশ মানৰ দ্বাৰাই তিনিবাৰ আক্ৰান্ত হয়। তৃতীয় বাৰৰ আক্ৰমণ অতি ভীষণ। এইবাৰ অসম দেশে ব্ৰহ্মৰজাৰ সৈন্যৰ দ্বাৰা অধিকৃত হৈ স্বাধীনতা-ফুলৰ মালা ডিঙিৰ পৰা দলিয়াই পেলাই পৰাধীনতা-লোৰ শিকলি ভৰিত পিন্ধে। মানৰ গোৰোহনিয়ে স্বাধীন অসমৰ ওখ মূৰ দোৱাঁয়। আহোম ৰজাৰ গৌৰৱ-ৰবি চিৰকাললৈ অস্ত যায়। ছশ বছৰ অকণ্টকে ৰাজ্য ভোগৰ পিছত সৌমাৰ-বিজেতা আহোম ৰজা চুকাফাৰ বংশধৰসকল বাটৰ মগনিয়াৰ হ'ল। ১৭৪২ শকৰ ২ চ'তৰ পৰা ১৭৪৭ শকৰ ২১ মাঘলৈকে নৃশংস ব্ৰহ্মবাসীহঁতৰ অত্যাচাৰ নিষ্ঠুৰতা হত্যা আৰু লুটপাত আদিৰে অসম লালকাল আৰু জুৰুলা হয়। শেহত, বৃটিছ-সূৰ্য্যৰ উদয়ত, দুৰ্ভগীয়া অসমৰ পৰা তিনি বছৰ দহ মাহ উনৈশ দিন ব্যাপী এই ঘোৰ এন্ধাৰ ৰাতিৰ ওৰ পৰে। এই সময় অসমৰ অৱস্থা বৰ্ণনা কৰিবলৈ কাপ অক্ষম। শিক্ষা, কৃষি, বাণিজ্য, শিল্প, সুখ, শান্তি পাপাত্মাবিলাকৰ দৌৰাত্ম্যত দেশৰ পৰা একেবাৰেই অন্তৰ্হিত হৈছিল। ইহঁতৰ অত্যাচাৰত প্ৰায় তিনিভাগৰ এভাগ প্ৰজা অসমৰ পৰা নাইকিয়া হৈছিল। স্বামীৰ পৰা তিৰোতাক, বাপেকৰ পৰা পুতেকক, কোলাৰ কেচুৱাৰ পৰা মাকক, এই দুৰাচাৰহঁতে চিৰজন্মলৈ বিচ্ছেদ কৰিছিল। এই

শই গাঁও দেৱালয় আদি অগ্নিত আহুতি দিয়া হৈছিল ; হেজাৰ হেজাৰ সতী সাধ্বীয়ে দুৰাত্মাইঁতৰ ভীষণ কবলত সতীত্ব বত্ন বিসৰ্জ্জন দিব লগীয়াত পৰিছিল। প্ৰকৃতিৰ কাম্য-কানন অসম মহাতপা বশিষ্ঠ গালৱ গোকৰ্ণকে আদি কৰি যোগী তপস্বী ঋষি মুনিসকল, পবিত্ৰ আশ্ৰম অসম, নীলাচল, অশ্বক্লান্ত, মণিকৰ্ণেশ্বৰ উমানন্দ, শুক্ৰেশ্বৰ, হয়গ্ৰীৱমাধৱ, বিশ্বনাথ প্ৰভৃতি হিন্দু দেৱতাসকলৰ পীঠস্থান তীৰ্থস্থান অসম শ্মশানত পৰিণত হৈছিল। ঠিক এই সময়ৰ এদিনৰ এটি ঘটনা লৈ আজি আমি আমাৰ আখ্যান আৰম্ভ কৰিলো।

তৃতীয় আধ্যা

দেশৰ এনে অৱস্থা। ধন-প্ৰাণৰ এনেকুৱা অস্থিৰতা। ৰজা চন্দ্ৰকান্ত সিংহ মানৰ ভয়ত কাপুৰুষৰ দৰে ৰাজ সিংহাসন আৰু ৰাজধানী এৰি পলৰীয়া। গতিকে মানৰ সেনাপতি মিঙ্গিমাহাঁ তিলুৱাই ৰাজ ছত্ৰ-দণ্ড বুটলি পোৱাদি পাই তুলি ললে। উদণ্ড মানৰ অত্যাচাৰ, লুটনি, হত্যা, কুৎসিত ব্যৱহাৰ আৰু নৃশংসতাত দুৰ্ভগীয়া অসমৰ টল্‌বলনি লাগি পৰিল।

ৰমানাথ বৰুৱাই কি কৰিব কলৈ যাব একোকে ভাবি থিৰ কৰিব পৰা নাই। তেওঁৰ বন্ধু-বান্ধৱ লগুৱা লিক্‌চৌৰ ভালেখিনিয়ে প্ৰাণৰ ভয়ত দেশ এৰি পলাল, অথবা অসমৰ অগাধ অৰণ্যত হিংস্ৰক বনৰীয়া জন্তুৰ প্ৰতিবেশিত্ব স্বীকাৰ কৰিলে। ৰমানাথে দেখিলে, যে প্ৰাণ, মান, ধন, জন লৈ আৰু জন্মভূমিত বাস কৰা অসম্ভৱ হৈ উঠিল। তেওঁ এই অৱস্থাত সোনকালে বঙ্গদেশৰ ফাললৈ সস্ত্ৰীক পলোৱাৰ বাহিৰে আন একো উপায় দেখিবলৈ নেপাই এক সপ্তাহৰ ভিতৰতে জন্মভূমিৰ ওচৰত কৰযোৰ কৰি বিদায় মাগি ভটীয়াই যাবলৈ কৃতসঙ্কল্প হ'ল।

ইয়াৰ ভিতৰতে এদিন ঠিক দুপৰ বেলিকা ৰমানাথ বৰুৱাই আহাৰাদি কৰি চালপিৰাৰ ওপৰত শুই বিশ্ৰাম কৰিছে, চকুত অলপ তন্দ্ৰা আহিছে মাথোন ; আৰু জয়ন্তী দেৱীয়ে গৃহকাৰ্য্য সমাপন কৰি ওচৰতে বহি বিচনী এখন লৈ স্বামীক বিচিব লাগিছে। এনে সময়তে তেওঁলোকে বাহিৰৰ দুৱাৰত ধুপ্ ধুপ্ কৈ কোব পৰা শুনিবলৈ পালে। কি হৈছে, কিহৰ শব্দ বুলি সুধি নাম কাঢ়ি মাতি মাতিও কোনো লগুৱা লিগিৰীৰ উত্তৰ নেপাই জয়ন্তীয়ে নিজে উঠি গৈ দেখিলে যে তিনিটা অস্ত্ৰধাৰী মানে টোকোনেৰে কুৰিয়াই ঘৰৰ দুৱাৰখন ভাঙি সোসোৰৰ কৰিছে। এই কাণ্ড দেখিয়েই জয়ন্তীৰ মুখ কেহেঁৰাজ-বটা যেন বিবৰ্ণ হ'ল, ভয়ত তেওঁ থৰ্ থৰ্ কৰে কঁপিবলৈ ধৰিলে। ঘৰৰ লগুৱা লিগিৰীহঁত ইয়াৰ আগেয়ে ঘৰ এৰি মুহূৰ্ত্তকতে কলৈ পলাই গ'ল ঠিক নাই। চকুৰ পচাৰতে মানহঁতে ঘৰৰ ভিতৰ সোমাই জয়ন্তী আৰু ৰমানাথক জৰিৰে কট্‌কটীয়াকৈ বান্ধি ঘৰ লুটিবলৈ ধৰিলে।

দেশৰ এনে হুলস্থুল অৱস্থা দেখি ইয়াৰ দিন চেৰেকৰ আগেয়েই ৰমানাথ বৰুৱাই তেওঁৰ ৰূপ-সোণ অলঙ্কাৰ-পাতি আৰু মূল্যবান বস্ত্ৰ-বস্তুবিলাক গুৱাহাটীলৈ তেওঁৰ ভায়েকৰ ঘৰলৈ পঠিয়াই দিছিল। গতিকে মান ডকাইতহঁতে বিশেষ মূল্যবান একো লুটিবলৈ নেপালে। আশাত নিৰাশ হৈ মানহঁতৰ খং জুই জলাদি জলি উঠিল, দাঁতে কড়মড় কৰিবলৈ ধৰিলে, চকুৰ পৰা জুইৰ আঙনি ওলাল। প্ৰথমটো মানে দ্বিতীয়টোলৈ চাই কলে, "ইহঁত বৰ টেঙৰ মানুহ ; ৰূপসোণ অলঙ্কাৰপাতি সোপাকে আগৰ পৰাই কৰবাত লুকাই থৈছে।" দ্বিতীয়টোৱে প্ৰথমটোৰ কথাৰ কোনো সমিধান নিদি ৰমানাথ বৰুৱাৰ পিঠিত চমটাৰে সাৰোপ সাৰোপকৈ তিনিকোব মাৰি গুজৰি সুধিলে, "ধন-বস্তুবিলাক ক'ত লুকাই থৈছ্ এতিয়াই দেখুৱাই দে, নাইবা তহঁতক এই ঘৰৰ ভিতৰতে জুই দি পুৰি মাৰিম।" চমটাৰ কোবত ৰমানাথ বৰুৱাৰ পিঠিৰ পৰা ঝৰ্ ঝৰ্ কৈ তেজ পৰিবলৈ ধৰিলে, বপুৰিয়ে যন্ত্ৰণাত চেঙালুটি পাৰিবলৈ ধৰিলে। স্বামীৰ এনে অৱস্থা দেখি কান্দি কান্দি জয়ন্তীয়ে যোৰহাতকৈ কাতৰ কণ্ঠেৰে ডকাইতহঁতক কলে, "তোমালোকে এই দুখুনীৰ প্ৰতি দয়া কৰা, মোৰ দেউতাহঁত, মোৰ স্বামীক আৰু নেমাৰিবা। মই ঈশ্বৰক সাক্ষী কৰি কৈছো, আমাৰ হাতত এতিয়া একো নাই। সত্যে সত্যে তিনি সইত খাই কৈছো, ৰূপ-সোণ অলঙ্কাৰ পাতি বস্ত্ৰ-বস্তু যি আছিল, আমি ইয়াৰ পৰা গুচি যাম বুলি দিন চেৰেক আগেয়েই আমাৰ গুৱাহাটীৰ মিতিৰ-কুটুমৰ ঘৰলৈ পঠিয়াই দিলো। এতিয়া তোমালোকে আমাক দুয়োকো ছোৱা-ছোৱাকৈ কাটিলেও একো পাবৰ উপায় নাই। সেইদেখি মোৰ দেউতাহঁত আমাক মিছাতে মাৰি-কাটি আৰু যন্ত্ৰণা নিদি ঘৰত যি আছে তাকে লৈ তোমালোক যোৱাহঁক। তোমালোকৰ ভৰিত ধৰি কাবৌ কৈ মাগিছো মোৰ স্বামীক আৰু নেমাৰিবাহঁক। মোৰ ডিঙিত এইধাৰ মণি হাতত আৰু এইযোৰ খাৰু আছে, ইয়াকে মই সোলোকাই দিছো, তোমালোকে তেওঁক এৰি দিয়া।" এই বুলি ডিঙিৰ মণিধাৰ আৰু হাতৰ খাৰুযোৰ সোলোকাই জয়ন্তীয়ে মানহঁতক দি কাকুতি কৰিবলৈ ধৰিলে। জয়ন্তীৰ কথা শুনি মান তিনটাই একে বেলিয়েই খল্ খল্ কৰে হাঁহি কলে, "তইতে আমাক কেছুৱা ল'বা বুলি ভাবিছ্ নেকি যে এইবিলাক মিছা কথা আমি বিশ্বাস কৰিম ? কত কি লুকাই থৈছ্ বেগতে ক, নাইবা সোনতে এই চমটাৰে কোবাই তোঁহতৰ পিঠিৰ ছাল ছিঙিম, তাৰ

পিছত জুই অলাই দুইকো এই ঘৰৰ ভিতৰতে পুৰি ছাই কৰি গুচি যাম।"

দুখুনী জয়ন্তীৰ কাকূতি মিনতিলৈ আওকাণ কৰি পামৰহঁতে ৰমানাথ বৰুৱাক কোবাই কিলাই যেনে যন্ত্ৰণা দিব ধৰিলে তাক বৰ্ণনা কৰিবলৈ এই কাপ অক্ষম। শেহত মানহঁতে যেতিয়া দেখিলে যে ইমান মৰিয়াই কিলাই জীয়াতু দিও ধন-বস্তু একোকে তেওঁ-লোকৰ পৰা পোৱা নগ'ল, তেতিয়া প্ৰথম মানটোৱে লগৰীয়া দুটাৰ মুখলৈ চাই কলে, "আহ, ইহঁত দুইটাকেই লৈ যাওঁহঁক, মটাটো বেছ্ শকত আৱত আছে, আমাৰ বয়-বস্তুবিলাক ইয়াৰ পিঠিত তুলি দি লৈ যাওঁহক, তাৰ পিছত লাঠুৱাক কাটি পেলাম। আৰু এই তিৰোতা মানুহজনী দেখিবলৈ শুৱনী আছে, আমাৰ মলুকলৈ এইক লৈ গৈ আমাৰ ৰজাক ভেটী দিমহঁক, এনে ৰূপহী তিৰোতা ৰজাই পালে আমাৰ ওপৰত খুব সন্তুষ্ট হ'ব।" দ্বিতীয়টোৱে প্ৰথমটোৰ কথাত অমত প্ৰকাশ কৰি কলে, "দেখ ককাই, তোৰ আজি কালি এটা ৰোগ হৈছে; যিহকে হওক এটা ভাল বস্তু পালেই আগেয়েই তই কৈ পেলা যে এইটো আমাৰ দেশলৈ লৈ গৈ ৰজাক দিম। কিয়, ৰজাক দিম কিয়? মই কওঁ এই ৰূপহী তিৰোতাজনী মোৰ, মই কাকো নিদিওঁ। তহঁতে ৰূপ-বান বয়-বস্তু যি মন যায় লহঁক, কিন্তু মোৰ ভাগত এই।" কথাষাৰ শুনা মাত্ৰকেই তৃতীয়টোৱে গৰ্জ্জি উঠি কলে "কাৰ? তোৰ? কেতিয়াও হ'ব নোৱাৰে। থাক। মই দেখিম, কোনে মোৰ হাতৰ পৰা এইক নিয়ে? এই মোৰ।" দুইৰো ভিতৰত এইদৰে পৌৰাণিক সুন্দ-উপসুন্দীয়া দ্বন্দ লাগিখৰ দেখি প্ৰথমটোৱে "এই কথাৰ মীমাংসা পিছত কৰা যাব" বুলি দুইকো বুজাই সান্ত্বনা কৰিলে। ইয়াৰ পিচত সস্ত্ৰীক ৰমানাথ ৰৰুৱাক, লুটি-পুটি পোৱা বস্তুৰে সৈতে খান্ধি মানহঁতে লৈ যাবলৈ ধৰিলে। জয়ন্তীয়েও বিপদহাৰী মধু-সূদনক কাতৰ কণ্ঠে মাতি স্বামীৰে সৈতে চকুৰ লো টুকি যাবলৈ ধৰিলে।

চতুৰ্থ আধ্যা

বাটত যাওঁতে আত্মসংযমত অভ্যস্তা জয়ন্তীয়ে মনে মনে হঠাৎ এটা উপায় স্থিৰ কৰি বং আৰু বেজাৰৰ ভাও পৰিত্যাগ কৰি মানহঁতৰ ফালে চাই মৃদু মধুৰ মাতেৰে কলে "দেখ, ভায়া! তহঁতে যেতিয়া আমাক ধৰি লৈ গৈছ, আৰু ধন-বস্তু ৰাখিবৰ মিছা চেষ্টা কৰি কি ফল? আমিয়েই যেতিয়া গাঁও-ভুঁই দেশ এৰি যাব লগীয়াত পৰিলো আৰু আমাৰ ৰূপ-বান ধন-সম্পত্তি কোনে খাব? মোৰ কপালত গোসাঁয়ে যি লিখিছে সেয়েই হ'ব, কিন্তু যদি তহঁতে মোৰ স্বামীক মৰকাটি এৰি দিয়লৈ মান্তি হব. তেন্তে আমাক ওভতাই আমাৰ ঘৰলৈ লৈ ব'ল; ক'ত আমাৰ পেৰাই পেৰাই সোণ-ৰূপ অলঙ্কাৰ পাত্তি পুতি লুকাই থৈছোহঁক, তহঁতক দেখুৱাই দিওঁগে।" জয়ন্তীৰ অলৌকিক ৰূপলাৱণ্যই ইতিপূৰ্ব্বেই ডকাইতহঁতক আংশিকৰূপে জয় কৰি ৰাখিছিল; এতিয়া তেওঁৰ এই সুমধুৰ বচনে আৰু বিপুল অৰ্থপ্ৰাপ্তিৰ লোভে সিহঁতক সম্পূৰ্ণৰূপে পৰাজয় কৰিলে। সিহঁতে উল্লাহেৰে আকৌ উভতি আহি ৰমানাথৰ ঘৰৰ ওচৰ চাপিল। জয়ন্তীয়ে ঘৰৰ আগচোতালৰ কাষতে থকা এজোপা কাঞ্চন ফুলৰ গছ দেখুৱাই কলে, "এই খিনিতে চাৰি হাত মাটিৰ তলত আমি আমাৰ ৰূপ-বানৰ পেৰাবিলাক পুতি থৈছোঁ।" এই কথা কাণত পৰা মাত্ৰকতে মানহঁতে কাঞ্চন গছত ৰমানাথক ভালকৈ খান্ধি বং মনেৰে কোৰ লৈ সেই দেখুৱাই দিয়া ঠাই ডোখৰ খান্দিবলৈ লাগিল। এই খিনিতে কোৱা যাওক যে ডকাইতহঁতে জয়ন্তীক অবলা তিৰোতা মানুহ, কলৈ পলাব বুলি সৰহ পৰ খান্ধি ৰাখিবৰ আৱশ্যক যেন নেভাবি মুকলিকৈ থৈছিল। সিহঁতে আৰু ভাবিছিল, যদি তেওঁ পলাব খোজেও ততালিকে এজনী তিৰোতা মানুহক ধৰি পেলাবলৈ সৰহ কথা নেলাগে।

প্ৰায় আদঘণ্টামান খেলি তিনিউটা মানে ওপৰা-ওপৰিকৈ চাৰি হাত মান দকৈ গাঁত খানিলে; কিন্তু ৰূপ-বানৰ কিম্বা আন বয়-বস্তুৰ একো চিন পোৱা নগ'ল। প্ৰথম ডকাইতে জয়ন্তীৰ মুখলৈ চাই কলে, "চা চোন, ঐ মানুহজনী। তই আমাৰে সৈতে ঠাট্টা কৰিছ নেকি? এইয়া এডিঙ্গীমানকৈ গাঁত খানিলো, তোৰ ধনৰ পেৰা ক'তা?" জয়ন্তীয়ে গহীনকৈ উত্তৰ কৰিলে, "আৰু অলপমান খান নিশ্চয় ওলাব। আৰু নোলায় যদি আমিতো ডিঙি পাতিয়েই আছোঁ, তাৰ নিমিত্তে চিন্তা কি?" গাঁতৰ ভিতৰৰ মানটোৱে আশ্বস্ত হৈ আকৌ উৎসাহেৰে সৈতে খানিবলৈ লাগিল। গাঁতৰ পাৰত থকা দুটাই নিজ নিজ তৰোৱাল কাষত থৈ কথা পাতি থাকোঁতেই ঢেপ চাই জয়ন্তীয়ে বিজুলীৰ বেগেৰে সিহঁত দুইকো ঠেলা মাৰি সেই এডিঙ্গীয়া দ গাঁতত পেলাই দি সেই তৰোৱালেৰেই মুহূৰ্ত্তৰ ভিতৰতে তিনিউৰো মূৰ তিনিটা কাটি পেলাই, ৰমানাথৰ হাতৰ বান্ধ সোলোকাই দি খলিয়াৰ দৰে নাচিবলৈ ধৰিলে। নিমিষৰ ভিতৰতে এনে আচৰিত্ত পট পৰিবৰ্ত্তন ৰমানাথৰ সপোন যেন লাগিল। ক'ত সেই ভীমকায় দুৰ্বৃত্ত দস্যুৰ হাতত প্ৰাতি নিমিষতে তেওঁৰ জীৱনৰ আশাত জলাঞ্জলি দিব লগীয়াত পৰি-ছিল, আৰু ক'ত খন্তেকতে সিহঁতৰ মৰা শ কেইটা স্বকৃত দুষ্কাৰ্য্যৰ পৰাচিত্ত স্বৰূপে শিজে-খনা গাঁতৰ ভিতৰত মূৰ লাইকিয়া হৈ পৰিল। ক'ত সেই ভয়ত লোভ-বোত খোৱা জয়ন্তীয়ে চকুৰ লোৰে বিহাৰ আঁচল তিয়াইছিল আৰু ক'ত নিমিষতে এই ৰণো-

ম্মত্তা চামুণ্ডাৰূপিনী তিৰোতাই তৰোৱাল হাতত লৈ উন্মাদ নৃত্য কৰিব লাগিছে। ক'ত কাঞ্চন গছত ৰমানাথ বধ্য বন্দী ৰূপে বান্ধ খাই আছিল, আৰু ক'ত পলকৰ ভিতৰতে তেওঁ বান্ধৰ পৰা মুকলি হৈ স্বাধীনতা লভিছে। নিমিষতে দৃশ্যৰ কি অদ্ভুত সলনি। সঁচাকৈয়ে এই নৃত্যকাৰিণী উন্মাদিনী ৰমণীয়েই সেই শান্তা লজ্জাশীলা আৰু ভীতা জয়ন্তী নে? এইবিলাক স্বপ্ন নে মায়া নে দিঠক? ৰমানাথে একো ঠিক কৰিব নোৱাৰিব ঘূৰঁলি-কুৰঁলী দেখি চকু মুদি খহি পৰিল। অলপ বেলি আকৌ চকু মেলি তেওঁ দেখিলে যে ই সপোন নহয়। সঁচাকৈয়ে দুৰাত্মাইঁতৰ কবন্ধ দেহ দ গাঁতৰ তলিত পৰি আছে, আৰু সঁচাসঁচিকৈয়ে তেওঁৰ হাতত বান্ধ নাই, তেওঁ স্বাধীন আৰু মুক্ত। আৰু সঁচাকৈয়ে তেওঁৰ প্ৰিয়তমা জয়ন্তী চুলি মেলা চামুণ্ডাৰ নিচিনাকৈ তেজেৰে বাণ্ডলী হৈ হাতত দা লৈ নাচিব লাগিছে। হায়! জয়ন্তী সঁচাকৈয়ে উন্মাদ হললে কি? ৰমানাথে স্পষ্টকৈ. দেখিলে যে তেওঁৰ প্ৰাণপ্ৰিয়া জয়ন্তী বাহ্যজ্ঞানশূন্যা উন্মত্তা!

ইয়াৰ পিচত মানুহ-দুনুহৰ সাহায্যত জয়ন্তীক লৈ সেই ৰাতিয়েই ৰমানাথ ৰকম্ৰাই ৰংপুৰ এৰি গুৱা-হাটীলৈ যাত্ৰা কৰিলে। গুৱাহাটী পাই নিজৰ ভায়েক আৰু বন্ধুসকলৰ সাহায্যত তেওঁ অনেক প্ৰকাৰ চিকিৎসা কৰালে, কিন্তু জয়ন্তী আৰু আৰোগ্য নহ'ল।

বিষম উন্মাদ ৰুগীয়া জয়ন্তীৰ মুখত তেওঁৰ শেহ পৰ্য্যন্ত, "মোৰ স্বামীৰ হাতৰ বান্ধ নোকোলালো" —এইষাৰ কথাৰ বাহিৰে আৰু একো কথা শুনা নগৈছিল। শেহত সকলো দুখ আৰু সকলো শোক হৰোঁতা মৃত্যুৱে আপোনাৰ কোমল কোলাত আশ্ৰয় দান কৰি, এই সতীক এই সংসাৰৰ দুখ যন্ত্ৰণাৰ হাতৰ পৰা উদ্ধাৰ কৰিলে।

ভাতৰ বাহ্‌ৰ সাধু

অলপ ধতুৱা মানুহৰ পক্ষে পূজাৰ সময়ত কলি-কতাত টিকা টান। এনেই কলিকলীয়া কলিকতা-নিতৌ নাচনিয়াৰ, তাতে আহিল নাতিনীয়েকৰ ।।য়া দুৰ্গাপূজা, আৰু বুঢ়ীক পায় কোনে? গা সাতখন আঠখন। চাৰিওফালে ঢোলৰ কোব, পেঁপাৰ মাত, গাড়ীৰ ঘৰ্ ঘৰণি আৰু বস্তু বেচোঁতা মানুহৰ চিঞৰ মিলি এক প্ৰকাণ্ড উৰ্মি-ৰোল উঠিল। ঘৰৰ ভিতৰত সোমাই থাকিও ৰক্ষা পোৱা নেযায়। বজো-পসাগৰৰ প্ৰচণ্ড ধুমুহা বতাহৰ কোব আৰু পৰ্ব্বত প্ৰমাণ ঢৌৰ হেন্দোল-দোপৰ হাত সাৰিবৰ অভিপ্ৰায়ে, জাত ওপজি বোৱা "জাহাজৰ" কেবিনৰ ভিতৰত দুৱাৰ মাৰি সোমাই থকা যেনে, দুৱাৰত ডাং দি, ডুখৰি-পিৰাত দুখীয়া দেহ ডোখৰ সমৰ্পণ কৰি, এই পূজা হেন্দোলনিৰ হাত সাৰোঁ বুলি, কলিকতাৰ ঘৰৰ ভিতৰত সোমাই থাকিবলৈ যোৱাও তেনে। বজাৰত বস্তু কিনিবলৈ গলে দোকানীয়ে মানুহৰ তেজৰ সোৱাদ পোৱা বাঘৰ নিচিনাকৈ কিনোতাক গিলি থব খোজে। ঘৰত, চাকৰ-নাকৰ ল'ৰা-ছোৱালীৰ পৰা চাঙ-তলৰ মেকুৰীটোলৈকে সকলোৱে দে দে লগায়। আন কি, চৰকাৰী ডাক-হৰকৰা, আৰু গোটেইটো বছৰ-দুষ্প্ৰাপ্য-ধুমকেতু পুলিচৰ পাহাৰাওৱালাইও কৰবাৰ পৰা ধপহকৰে "হাওঁ-মাওঁ-খাওঁ" কৰি ওলাই দীঘল ওলোটা চালাম দি, বোলে "হুজুৰ, পূজাকা বকচিচ্।" এটাইতকৈ চৰা কলিকতাৰ ঠিকাগাড়ীৰ গাৰোৱান কেইটা। কিবা এটা পৰ্ব্ব-তৰ্ব্বৰ গোন্ধ ইহঁতৰ নাকেদি পেটত সোমালে, ইহঁতৰ "আ"টোও ডাঙৰ হয়, পেটটোও ডাঙৰ হয়। পূজাৰ পোন্ধৰ কুৰি দিন মানৰ আগৰে পৰাই ইহঁত ইমানকৈ 'আঁ' কৰি মুখখন মেলে যে, নেজ শুঁড় আৰু দাঁতে সৈতে দঁতাল হাতী একোটা ইহঁতৰ মুখেদি সোমাই পেট পালেগৈও ইহঁতৰ মুখ আৰু পেটৰ খজুৰতি মৰিব বুলি বিশ্বাস নহয়। ইহঁতে চাৰি অনাৰ ঠাইত ঠিকা-গাড়ীৰ কেৰেয়া তিনি টকা কৰি থহি আছে, এতিয়া কি কৰা কৰা।

পূজাৰ সময়ত ৰেল কোম্পানীয়ে ৰেলযাত্ৰীসকলক অহা-যোৱা কৰিবলৈ সুবিধা কৰি কেৰেয়া কমাই দিয়ে। এবাৰৰ কেৰেয়াতে যাবও পাৰি আহিবও পাৰি। তাতে পূজাৰ ছুটী, অফিচ কাছাৰী বন্ধ, ভ্ৰমণকাৰীসকলৰ মাহেন্দ্ৰযোগ। মোৰো গা উঠিল, ফুৰিবলৈ ওলালোঁ। খিস্তৰ কেৰেয়া দি অতি কষ্টে এধা-মৰা এধা-জীয়া ঘোঁৰাৰে এধা-ভগা গাড়ী এখন ধৰি, ষষ্ঠীৰ ৰাতি ঘৰৰ পৰা ওলাই আঠ বজাত হাওৰা ষ্টেচনলৈ আহিলোঁ। ৰেল ষ্টেচনত কাৰে মাছৰ উজান উঠাদি যাত্ৰীৰ উজান উঠিছে। মানুহৰ মাজত বিৰ দি সন্ধি পাবলৈ নাই। লৰা-লৰিকৈ টিকট কিনি ললোঁ। কিন্তু যিখন গাড়ীৰ ওচৰলৈকে যাওঁ, দেখোঁ সেই খনেই "ৰিজাৰ্ভ" কৰা। কি মস্কিল! অনেক বিচাৰি ভালেমান থেলিৰ মূৰত দ্বিতীয়শ্ৰেণীৰ গাড়ী এখনত এটা মানুহৰ ঠাই খালি থকা পাই টুপুৰ কৰে উঠি খাজ খাই পৰিলো।

টেটুলৈকে খাজ-খোৱা ভোজখোৱাসকলৰ দৰে, মেইল গাড়ীখন যাত্ৰীৰে খুন্দখাই পৰিল। গাড়ী-খনত যিমান মানুহ উঠিল তাৰ দুগুণ মানুহে উঠিবলৈ ঠাই নেপাই উত্তপ্ত বাৰ লগাত পৰিল। গাড়ীত উঠিলো হয়, কিন্তু মানুহৰ গাপ লাগি আৰু দিয়া পকা মাৰ্জ্জোপ কলটো বেল হলো। এতিয়া গাড়ীখন এৰি দিলেই, মই কৰ্তাত পৰিলো।

মোৰ সৌভাগ্যগুণেই হওক, বা দুৰ্ভাগ্যগুণেই হওক, মই সোমোৱা খোটালিত মোৰ সহযাত্ৰী এটাইকেইজন থুলন্তৰ· বঙালী পুৰুষ। গা-ডাঙৰ বিষয়ত কোনো কম নহয়; ইজনতকৈ সিজন চৰা, সিজনতকৈ আৰু সিজন চৰা। এই যাৰৰ দিনত কোনে এই ৰবপেটাল মানুহ কেইজন বাছি আনি একেটা খোটালিতে সুমাই দিছিল কব নোৱাৰোঁ। ইচ্ছা কৰি তেওঁলোকে নিজে সোমাইছে বেনও মনে নধৰে। এগাড়ী ৰবপেট একে ঠাইতে গোটাই ৰং চাবৰ মনেৰে টেটোন খিৰতাই নিশ্চয় এই কাৰটি কৰিলে। সি যি হওক, কঠালৰ ভিতৰত গুৰি-কঠাল থকাটো সকলোৱে জানে, চাউলৰ টোমৰ ভিতৰত ডাঙৰ টোম থকাটোও লোকৰ অবিদিত নাই, আৰু ধান-সৰিয়হৰ ডুলিৰ ভিতৰত বৰ ডুলি থকা দেখা পোৱা মানুহো ঠিতাতে এবুৰি হুঁৰবা ওলাব। এই স্থূলকায়সকলৰ ভিতৰতো এজন মহাকায় পুৰুষ আজি আৰি সোঁ-চকুৰে দেখিলো। এওঁৰ গাটো বা পেটটো কিমান যে ডাঙৰ মই এখাৰ উশাহ নসলোৱাকৈ একে উশাহে কবই নোৱাৰিম যেন পাওঁ। এওঁৰ কি নাম কি কুল কি শীল কব নোৱাৰো। কিন্তু ঘটোৎকচ হেন এই সুবৃহৎ পুৰুষজনক যি সুভাগী জননীয়ে দহ মাহ দহ দিন গৰ্ভত ধাৰণ কৰিছিল সেই হিড়িম্বা জননীৰ শ্ৰীচৰণ কমলেষু। এওঁৰ বিষয়ে মোৰ দুটা বক্তব্য আছে; প্ৰথমটি এই যে খোটালিটোৰ পাঁচভাগৰ এভাগ এওঁ অকলৈ জুৰি বহিছিল। আৰু এটা বক্তব্য এই যে এওঁৰ কঁকালেৰে সৈতে চুৰিয়াৰ সমূলি বাহি নাহে। ঠিক কব লাগিলে এওঁ মকৰা-জাল যেন চুৰিয়াখন হাতেৰে সামৰি নধৰিলে নচলে। চমুকৈ এওঁৰ এটা "ডেফিনিচন" দিবলৈ গ'লে এই-দৰে কলেই হ'ব যে "এওঁ হাত ভৰি আদি ইন্দ্ৰিয় সংযুক্ত এটা পেট।" ক্ৰমশ: মোৰ অনুমান হৈ আহিল যে এওঁৰ বৰ পেটটোত বাগবজাৰৰ ৰস-গোল্লা বিমান আছে গোটেই কলিকতাৰ কথাও সিমান আছে। 'অ'কাৰ 'আ'কাৰ 'ই'কাৰ 'উ'কাৰ যুক্ত যে কত ৰকমৰ কত সুৰীয়া কথা সৰ্ সৰ্ কৰে পাখি লগা উঁইপৰুৱা গাতৰ পৰা ওলোৱাদি তাৰ ভিতৰৰ পৰা ওলাল তাৰ লেখ-জোখ নাই। আয়তনত কনিষ্ঠ কেজনৰ বাগযন্ত্ৰ কেটিও নিতান্ত নৰৰ "কোৱালিটি"ৰ নহয়; এডিচন্ চাহাবৰ নিজ হাতে কৰা ফনোগ্ৰাফেৰে বিজালেও নেহাৰিব কি জানি।

মই এচুকত পৰি মহাকায়সকলৰ ৰং-ৰূপ চাই কোন মুহূৰ্ত্তত গাড়ীখন এৰিব, সেই মুহূৰ্ত্তৰ অপেক্ষাত উৰ্দ্ধমুখে বহি আছোঁ। য়ুৰোপীয় বেশৰ গুণত তেওঁলোকে মোৰ কাষলৈ ৰবকৈ চাপি অহা নাই। মহা মহাকায় জনে এবাৰ মোৰ কাললৈ চাই সুধিলে, 'Good night sir, How far are you going ?' সম্বোধনটো শুনি অলপ মিচিকিয়াই উত্তৰ দিলো "Cawnpore." মোৰ উত্তৰে এটাই কেজনৰ মুখ জঁয় পেলালে। তেওঁবিলাকে ভাবিছিল মই অলপতে কৰধাত নামিম, নামিলেই তেওঁলোকে এজন অবাঞ্ছনীয় বিদেশী সহযাত্ৰীৰ পৰা নিষ্কৃতি লভি নিজ নিজ মূল্যবান পেট কেইটি আৰাম কৰি থৈ সুখেৰে শয়ন কৰিব পাৰিব। তাৰে মূৰ নৰিবৰ উপক্ৰম যেন দেখি সহোদৰসকলৰ মনত বিমৰ্ষ উপজিল।

১ম জন—"সাহেবকে কি অন্য গাড়ীতে পাঠাতে পাৰা যায় না?"

২য় জন—"দেখ চেষ্টা কোৰে তুমি, পাৰলেও পাৰতে পাৰ।"

৩য় জন—"বলনা সাহেবকে যে, সাহেব তোমাৰ এ গাড়ীতে কষ্ট হচ্ছে, পাশেৰ একখানা গাড়ীতে যাও।"

নোদোকা এশূৰসকলৰ ভিতৰতো এইখিলাক পৰামৰ্শ চলিব লাগিছে, কিন্তু মেকুৰীৰ ডিঙিত ঘণ্টা আৰি দিয়ে কোনটো এন্দুৰে? এই প্ৰশ্ন উৎথাপন হ'লত, ইমান কষ্টেৰে সজা তিনিমহলীয়া পৰামৰ্শঘৰটো হৰ্ হৰকৈ ভাগি পৰিল। তেওঁ-বিলাকৰ ধাৰণা, যে তেওঁলোকৰ বাজালী মাত চাহাবে নুবুজে; কিন্তু ধেমালিটো চাহাব বাহাদুৰ ডোখৰৰ বেয়া লগা নাছিল।

এনেতে গাড়ী এৰিলে। আমিও উশাহ লৈ জীলো। মুহূৰ্ত্ততে হাওৰা ষ্টেচন আমাৰ স্মৰণশক্তিৰ বিষয় হ'ল। গাড়ীখনেও ইমান বেলি বন্দী হৈ থাকি বিৰক্ত হৈ শালৰ যোঁৱা মুকলি হোৱাদি মুকলি হৈ বিশ্বাসৰদে লৰ দিলে।

সভাপতি মহাকায়—"ওগো নৰেন বাবু, সাহেব কি কোৰে এমন ধাৰা চুপমেৰে ৰয়েছে বল তো? ওঁৰ কি মাথা ধৰে না?"

নৰেন বাবু—"সাহেবেৰ বাচ্ছা যে, ওদেৰ সবই সম্ভৱ।"

ডাক্তৰ বাবু—"সাহেবকে একবাৰ জিজ্ঞেস কৰে দেখ না কি কোৰে এমন চুপ কৰে থাকে?"

সভাপতি—"হাঁ, জিজ্ঞেস কোৰে সাহেবেৰ কাছ থেকে একটা ঘুসি খাওনা, তাহলেই ঠিক হবে।"

আন এজন—"তা বইকি, আমৰা এতজন বাজালী থাকতে একটা সাহেব ও কাজটি কৰে নিজেৰ প্ৰাণ দিয়ে পালাবে?"

সভাপতি—"চুপ কৰ বাপু চুপ কৰ, আৰ বীৰত্ব কৰে কাজ নেই, ঢেৰ জানা আছে। এখন যে ৰকম দেখছি, সমস্ত ৰাতটাতো এই বোসেই কাটাতে হবে। কি কৰে সময়টা কাটাই বল দিকিন?"

ডাক্তৰ বাবু—"তামাক খেয়ে।"

আন এজন—"আমিতো বলি পৰনিন্দা কৰে। অবিশ্যি এমন একজন লোকেৰ নিন্দা কৰতে হবে, যাকে আমৰা সকলে জানি। ধৰুন সুৰেন্দ্ৰনাথ বানুৰ্জ্জী।"

এই কথাষাৰ শুনি স্থূলকায় সভাৰ সভ্যসকলৰ মাজত হাঁহিৰ ধুম পৰি গ'ল। তুলনাত ক্ষীণকায় মইও মুখখন টিপা মাৰি ধৰি লুকাই সৰু-সুৰা সমসাময়িক হাঁহি এটা মাৰি দিলোঁ।

সভাপতি—"ফাজলামি খোৰে কাজ নেই, আসুন্ না আমৰা প্ৰত্যেকে এক একটা কোৰে গল্প বলি, তাহলেই ৰাতটা কাবাৰ হয়ে যাবে।"

সভাপতিৰ কথাত এটাই কেইজনে মত দিলত সেইটোৱেই সিদ্ধান্ত স্থিৰ হ'ল। কিন্তু নবেন বাবুৱে মুখ খন কাতি কৈ লাহেকৈ কলে, "আমৰা নাহয় নিজেৰ গল্প বলব, সাহেবেৰ গল্প কে বলবে, বল দেখি? সেটা কি অমনি মাঠে মাৰা যাবে?"

ডাক্তৰ-"সাহেবেৰ হয়ে না হয় আপনিই বলবেন।"

নবেন—"সাহেব তাৰ জন্য আমাকে কি দেবে?"

আন এজন—"একটা কিক্।"

এই কথা শুনি আকৌ এবাৰ তেওঁলোকৰ মাজত হাঁহিৰ ধ্বনি উঠিল। বেচেৰা নবেন বাবুৱে কিন্তু এইবাৰ লাজত পৰাৰ ভয়তহে সেই হাঁহিত যোগ দিলে; নতুবা তেওঁ যথেষ্ট অপ্ৰস্তুত হৈছিল।

ডাক্তৰ—"তাহলে নবেন বাবুকে দুটো গল্প বলতে হবে।"

সকলোৱে ডাক্তৰৰ প্ৰস্তাৱত সন্মতি প্ৰকাশ কৰিলত আৰু সভাপতি মহাশয়েও ডিঙি নাইকিয়া লথৌ মূৰটো যথাসাধ্য দুপিয়াই তাক সমৰ্থন কৰিলত, সেইটো সিদ্ধান্ত স্থিৰ হ'ল। মইও ভদ্ৰতা ৰক্ষা কৰি পেটৰ ভিতৰতে নবেন বাবুক নিকুট ধন্যবাদ এটা দি থলো। প্ৰথমতে ডাক্তৰ বাবুৰ সাধু কবৰ পাল পৰিল। ডাক্তৰ বাবুৱে আৰম্ভ কৰিলে।—

"প্ৰথমতে কৈ লওঁ, যদিও কথাটো সাধু-কথাৰ শাৰীত পেলাই কবলৈ গৈছোঁ, কিন্তু ই সত্য ঘটনা। ১৮৮৬ চনত মই কলিকতাত মেডিকেল কলেজৰ শেষ মহলাত উঠি উদয়পুৰ ৰজাৰ ডাক্তৰ হৈ উদয়পুৰলৈ যাওঁ। এই উদয়পুৰ ৰাজপুতনাৰ উদয়পুৰ নহয়, ছোটনাগপুৰৰ উদয়পুৰ; চেণ্ট্ৰেল প্ৰভিন্সৰ ৰায়গৰ বিলাসপুৰৰ কাষত। ইয়াৰ লোক সংখ্যা প্ৰায় চল্লিশ হেজাৰ, আৰু আয় উনৈশ কুৰি হেজাৰ। ১৮১৮ চনত নাগপুৰৰ ৰজা মাধুজী ভোচলাৰে (যাক সকলোৱে আপাচাহেব বুলিছিল) সৈতে কৰা সন্ধিপত্ৰ অনুসাৰে চাৰগুজা প্ৰভৃতি ৰাজ্যৰ সৈতে এই উদয়পুৰ ৰাজ্য ব্ৰিটিছ গৱৰ্ণমেণ্টৰ হাতলৈ আহে। তেতিয়াৰে পৰা ই ইংৰাজ গৱৰ্ণমেণ্টৰ কৰতলীয়া।

"এই উদয়পুৰতে এদিন পুৱা বজাৰৰ ফালে ফুৰিবলৈ গৈছিলো, এনেতে দূৰৰ পৰা দেখিলো, এখন পোহাৰৰ আগত কিছুমান মানুহ গোটখাই গোলমাল কৰিব লাগিছে। কি হৈছে, জানিবৰ মনেৰে ওচৰ চাপি গৈ দেখিলো, এটা বাৰ-তেৰ বছৰীয়া ল'ৰাক সেই পোহাৰৰে পোহাৰী এজনীয়ে ডোখৰা খৰি এডাল লৈ উবাই-খুবাই মাৰিছে। কিন্তু ইমান মাৰেও ল'ৰাটোৰ চকুৰ পৰা পানী এটোপা আৰু মুখৰ পৰা চিঞৰ এটাও উলিয়াব পৰা নাই। হাতুৰীৰ কোব লো এডোখৰে পিঠি দি সহাৰ দৰে সি কাঠখৰিৰ কোব পিঠি পাতি সহিব লাগিছে, আৰু হাতুৰীৰ কোবৰ তলৰ লো ডোখৰৰ দৰে মাৰৰ কোবত সি অলপ ইকটা সিকটা কৰি মাটিত পৰি দীঘল হৈ গৈছে মাথোন। দৰ্শকবৃন্দৰ ভিতৰত সৰহ ভাগে ল'ৰাটোক পুতৌ কৰি একষাৰ্ষাই দিয়া দূৰত থাওক, 'বেছ হৈছে। আৰু মাৰ; ভাৰী দুষ্ট ল'ৰা।' বুলি পোহাৰীক উৎসাহ দি লগাইহে দিছে। মই তৎক্ষণাৎ জনতাৰ মাজত সোমাই, ল'ৰাটোক পোহাৰীজনীৰ হাতৰ পৰা এক্‌ৰাই, কিয় তাই তাক মাৰি ধোৱাৰ পাট বেন কৰিছে, কাৰণ সুধিলো। মোৰ প্ৰশ্নটো মুখৰ পৰা ওলাবলৈ পাওঁতে নাপাওঁতেই চাৰিউ ফালৰ পৰা একেবাৰেই উত্তৰ কালী-পেঁপা বাজি উঠিল, 'বাবু ই বৰ দগাবাজ ল'ৰা, নিতৌ পোহাৰীৰ পোহাৰৰ পৰা বস্তু চুৰকৈ খায়। আজি এটা আখৈ লাড়ু চুৰ কৰিছিল, ধৰা পৰি মাৰ খাইছে। ইয়াৰ হাত খা ভৰি এটা মৰিয়াই ভাঙি নিদিলে ইয়াৰ জোৱাই-জোখাই শিকনি নহয়।' এটা নিৰ্ব্বাক নিঃসহায় ল'ৰা আচামী, আৰু ইমানবিলাক বলৱন্ত বক্তা আৰু প্ৰহাৰ কৰোঁতা ফৰিয়াদী। দেখি মোৰ মনত নখৈ খেল লাগিল। কিন্তু দেখি আচৰিত মানিলো যে আচামীৰ আত্মৰক্ষাৰ কোনো যত্ন নাই; সি নিৰুত্তৰ। তাক দেখি এনে মনে ধৰিলে যে, এই পৃথিবীৰ সকলো লোকেই তাৰ বিপক্ষ, আৰু এনে মাৰ কিল খোৱাটো তাৰ জীৱনৰ এটা অপৰিহাৰ্য্য কাৰ্য্য, এনে এটা ধ্ৰুৱিদীয়া বিশ্বাসে তাৰ মনত

কৰাল মাৰি ধৰি আছে। হঠাৎ কৰবাৰ পৰা এটা মানুহ আহি এনে দয়া প্ৰকাশ কৰি তাৰ কলীয়া হোৱা দেখি সি নথৈ আচৰিত মানি মোৰ মুখৰ ফালে চাবলৈ ধৰিলে। মই পোহাৰীক তাইৰ আখৈ-লাৰুটোৰ বেচ কিমান বুলি সোধাত, তাই কলে 'এক পয়চা'। 'হোঁ নে এই দুই পয়চা' বুলি মই তাইৰ আগত পইচা দুটা পেলাই দিলোঁ। মোৰ এই কাৰ্য্য ল'ৰা চোৰটোৰ চকুত আৰু অদ্ভুত যেন লাগিল।

পোহাৰী—"আজি জানিবা আপুনি পয়চা দিলেই, কিন্তু কাইলৈ যেতিয়া সি আকৌ চুৰ কৰিব তেতিয়া কোনে পয়চা দিব?"

মই-'ই আৰু চুৰ নকৰে।'

মোৰ কথা শুনি দৰ্শকবৃন্দৰ ভিতৰত এটা ইতিকিংসূচক হাঁহিৰ ৰোল উঠিল। মই তালৈ ভ্ৰূক্ষেপ নকৰি লৰাটোৰ হাতত ধৰি টানি তাক মোৰ ঘৰৰ ফালে লৈ আহিলোঁ। তাক সুধিলোঁ, 'তোৰ কোন আছে?'

ল'ৰা—'মোৰ সকলো আছে?'

মই—'মাৰ বাপেৰ আছে?"

ল'ৰা—'নাই।'

মই—'ককায়েৰ ভায়েৰ আছে?'

ল'ৰা—'নাই।'

মই—'আন কোনো মিতিৰ-কুটুম, ঘৰুহ-পৰিয়াল আছে?'

ল'ৰা—'নাই।'

মই- 'তেন্তে তই কিয় কৈছিলি তোৰ সকলো আছে বুলি?'

"সি মনে মনে থাকিয়েই মোৰ কথাৰ উত্তৰ দিলে। আচলতে তাৰ জীৱনত কেতিয়াও নোপোৱা এই নতুন বিধৰ আদৰ আৰু চেনেহ মিহলি সম্ভাষণ শুনি, সি থোটামোজা খাই কিবা এটা কেনেবা অৱস্থা অনুভৱ কৰিবলৈ ধৰিলে, কি ক'ব বা কি উত্তৰ দিব তাৰ ভু হেৰাই পৰিছিল। তাৰ মুখ দেখি মোৰ মনে ধৰিলে, যে 'এৰি দে বোপাই মই মাৰখাই জীওঁ।' এনে এটা ভাবেৰে মোক যেন সি কাকূতি কৰিব লাগিছে। মনুষ্য জাতিৰ স্বভাৱ বুজা অতি কঠিন। অনেক সময়ত বুজি উঠা একেবাৰেই অসম্ভৱ। প্ৰাণীমাত্ৰৰে স্বভাৱ ৰক্ষণশীল, মানুহৰ গাত এই ৰক্ষণশীল স্বভাৱ অতি পৰিমাণে আছে। সুখেই হওক বা দুখেই হওক বৰ্ত্তমানৰেনে অৱস্থাত মানুহ থাকে, সহজে সেই অৱস্থা সি পৰি-ৱৰ্ত্তন কৰিব নোখোজে। আমেৰিকাৰ দাস ব্যৱসায় তুলি দি বন্দী-বেটীবিলাকক মুকলি কৰি দিলত প্ৰথমতে বহুত বন্দী-বেটী মুক্ত অৱস্থালৈ যাবলৈ অনিচ্ছুক হৈছিল। সিহঁতৰ মনত সেই নতুন স্বাধীনতা অতি অদ্ভুত যেন লাগিছিল। "খালাচ" হৈ কি কৰিব একো ভাবি নেপাই অনেকে সেই দাসৰ নেৰি আপোন গৰাকীৰ ঘৰতে আজীৱন কাল কটাইছিল। আমি স্ত্ৰী-স্বাধীনতা স্ত্ৰী-স্বাধীনতা কৰি চিঞৰো, কিন্তু হিন্দু মুছলমানসকলে নিজ নিজ ঘৰৰ মৈণীয়েকসকলক যদি সোধে, তেওঁলোকক এনে তেনে স্বাধীনতা লাগেনে নেলাগে, তেন্তে এশৰ ভিতৰত নিৰানব্বই জনাই তেওঁলোকৰ স্বামীসকলৰ মূৰত লৰালৰিকৈ তেল-টেঙা আনি থপিয়াই দিবলৈ যে আহিব এই কথা নিশ্চয়কৈ কব পাৰো, অনেক গিৰিয়েক মৈণীয়েকে পুৱা গধূলি দন্দ কৰি আপোন বিবাহিত জীৱন বিহৰ নিচিনা আৰু ঘৰ বাঁহতল কৰি পেলায়, আৰু এনে অসুখীয়া জীৱন ওৰ পেলাবৰ মনেৰে কেতি-য়াবা নিজৰ ডিঙিত বেপ দিবলৈ তামোল কটাৰীও বিচাৰি আনে; কিন্তু কোনো পৰোপকাৰী শুভানু-ধ্যায়ী লোকে যদি দুইৰো মাজত শান্তি স্থাপন কৰিবৰ মনেৰে দুইকো অন্ততঃ দিনচেৰেকমান আঁতৰ কৰি থব খোজে, তেন্তে সেই পৰোপকাৰী পুৰুষজনে তেওঁবিলাকৰ পৰা ঘটাস্বৰূপে গালি আৰু কিল নোখোৱাকৈ সাৰিব পাৰিলেই তেওঁক বাহাদুৰ বুলিব লাগিব।

ল'ৰাটোৰ অনিচ্ছাসত্বেও মই তাক আনি মোৰ ঘৰত ৰাখি আদৰ সাদৰ মৰম যত্ন কৰিবলৈ ধৰিলোঁ। মোতকৈও মোৰ সহধৰ্ম্মিণীয়ে তাক আতোলতোলকৈ মৰম কৰি দিনৌ ভাল কথা আৰু অলপ অচৰপ লেখাপঢ়া শিকাবলৈ ধৰিলে। এই স্নেহপূৰ্ণ যত্নত ৰামলোচনৰ (তাৰ নাম ৰামলোচন) অতি অলপ দিনৰ ভিতৰতে স্বভাৱ-চৰিত্ৰ একেবাৰেই পৰিবৰ্ত্তন ঘটিল। আগৰ দুষ্টৰ চূড়ামণি, বাইজৰ গৰিহণা-খোৱা, কিল-খাই-ডগা-পিঠিয়া ৰামলোচন ছমাহৰ ভিতৰতে এক সোণামুৱা ৰামলোচন হৈ উঠিল। প্ৰথমতে সংস্কৃত শিকা ছাত্ৰৰ মনত মুগ্ধবোধ ব্যাকৰণৰ সূত্ৰবোৰ যেনে লাগে প্ৰথম এমাহমানলৈকে আমাৰ মৰম-চেনেহ, আদৰ-সাদৰবোৰ তাৰ মনত তেনে লাগিছিল। সেইবোৰৰ মানে আৰু মূল্য সি একেকো বুজিব নোৱাৰিছিল। কোনো এটা বস্তু খাবলৈ দিলে সি চিলনীয়ে থাপ মৰা দি মাৰি নিছিল, আৰু তাক পিছৰ খাবলৈ দিয়া তাৰ নিজা বস্তু বোৰকো সি কিবা চুৰকৈ নিয়াদি নিছিল। আৰু দিনৰ দিনটো তাৰ পিঠিত কোনেও ভৰা কোবোৱা নাই কেলেই সেই কথাৰ অৰ্থ মূৰ ঘমাইও ভাবি নেপাইছিল।

এবছৰৰ ভিতৰতে ৰামলোচন এটা অতি বিশ্বাসী সংস্বভাৱৰ ল'ৰা হৈ পৰিল। কুমলীয়া ল'ৰা, অলপ সেও-পোতকতে ভালৰ ফালে চাল ললে। তাৰ পাঁচ বছৰ বয়সতে মাক-বাপেক ভাই-ককাই যি আছিল এটাইবোৰ মাউৰত মৰিল। বপুৰা মাউৰা নিঠৰুৱা হৈ ঠোঙোণা মোঙোণা খাই আলিবাটে গছ্-তলে বাগৰি-জুগৰি চুৰ-তাৰিকৈ খাই তেতিয়াৰে পৰা আহি এই ঘৰৰ বছৰ বয়সীয়া হৈছিল। কায়স্থৰ ঘৰৰ ল'ৰা দেখি মই লাহে লাহে তাক ভাত ৰান্ধনি পাতিলো। সিও ইমান প্ৰভুৰ অনুৰক্ত হৈ উঠিছিল যে মোৰ আৰু মোৰ সহধৰ্ম্মিণীৰ নিমিত্তে সি সদায় নিজৰ প্ৰাণ দিবলৈ প্ৰস্তুত। এই দৰে ছবছৰ কাটি গ'ল। মই উদয়পুৰৰ কাম এৰি বেঙ্গল গৱৰ্ণমেণ্টৰ কাম লৈ বৰ্দ্ধমান বিভাগৰ—* এচিষ্টেণ্ট চাৰ্জ্জন হৈ আছিলো। সিও মোৰ লগতে আছিল। সময়ে আমাৰ ভিতৰৰ মৰম-চেনেহ আৰু আত্মীয়তাৰ এক ঘনিষ্টামানো টুটাব পৰা নাছিল।

এদিন ৰাতিপুৱা শুই উঠি ৰামলোচন ৰামলোচন কৈ দেখোন মই মাতিছোঁহে মাতিছোঁ, ৰামলোচনৰ উত্তৰ নেপাওঁ। আন দিন ৰামলোচনে মই উঠাৰ আগেয়ে উঠি পুৱাৰ সকলো ঘৰুৱা কামৰ দিহা-পোহা কৰি ঠিক কৰে। আজিনো ইয়াৰ সাৰসুৰ নেপাওঁ কিয়? ভাবিলো, ইয়াৰ কিবা নৰীয়া হৈছে। সি শোৱা খোটালিলৈ সোমাই গৈ দেখিলো ৰামলোচন ঘৰৰ চতিৰ পৰা ওঁৰা ডোল এডালৰ খোৰোচা গাঁঠিত ডিঙিটো সুমুৱাই ওলমি আছে। কি ভয়ানক কাণ্ড। দেখি মোৰ গা থৰ্থৰ্ কৰে কঁপিবলৈ ধৰিলে। গোলমাল কৰি মানুহ-দুনুহ মাতি তাক নমাই অনাই চাওঁ তাৰ ধাতু নাই। ৰামলোচনৰ ওলমি থকা দেহ বন্দীশালৰ পৰা ওলাই চাৰি-পাঁচ ঘণ্টা মানৰ আগেয়েই সিপুৰীলৈ পলাল।

পুলিচ আহিল। ম্যাজিষ্ট্ৰেটৰ আগত বিচাৰ হ'ল। সিদ্ধান্ত হ'ল; আত্মহত্যা। দুখৰ কথা কি কম, পোষ্টমৰ্টম এক্জামিনেচনৰ ভাৰও মোৰ গাতে পৰিছিল। কি আগমগুহ-কলা-পৰি-যোৱা বেজাৰেৰে যে মই তাৰ গাত অস্ত্ৰ বহুৱাইছিলো কব নোৱাৰোঁ, সেই কথা মনত পৰিলে এতিয়াও মোৰ চকুৰ পানী ওলাব খোজে।

সি কিয় আত্মহত্যা কৰিলে তাৰ কাৰণ বিচাৰি বিচাৰি তাৰ চুৰিয়া খোঁচোনাত পালো। খোঁচোনাত এডোখৰ তাৰ হাতৰ লেখা ওলাল। তাত লিখা আছিল, 'ৰাজুবালা, আমি চলিলাম, তুমি তোমাৰ মনেৰ মত লোককে বিবাহ কৰিয়া সুখী হও।' কাকত ডোখৰ পঢ়ি মইতো অবাক। ই বঙ্গালীৰ দেশলৈ আহি তলে তলে প্ৰেম কৰিবলৈ শিকিছিল আৰু তাৰ ফল স্বৰূপে ঈৰ্ষা-বহ্নিত দগ্ধ হৈ বঙ্গালীৰ দৰে আত্মহত্যা কৰিবলৈকো শিকিলে। ইয়াৰ যে তলে তলে ইমান বিদ্যা হৈছিল, হৰি হৰি! মই আগেয়ে নেজানিলো, নতুবা মই তাৰ প্ৰতি-বিধান কৰিব পাৰিলোহেঁতেন।

নবেন বাবু—"ৰাজুবালাটা কে মহাশয়?"

ডাক্তৰ—"আমাদেৰই এক প্ৰতিবেশীৰ মেয়ে।"

নবেন বাবু—"তাৰ বয়স কত?"

ডাক্তৰ—"তখন দশ বৎসৰ।"

সভাপতি—"একটা দশ বছৰেৰ মেয়েৰ এত বিদ্যে?"

ডাক্তৰ—"মহাশয়, সে যে বঙ্কিম বাবুৰ নভেল পঢ়া আজ কালকাৰ বাঙ্গালী মেয়ে।"

নবেন—"দেখুন না, আমাদেৰ সাহেব, নেপো-লিয়ানী ঘুম্ ঘুমাচ্ছে!"

মই বেচেৰা চাহাব ডোখৰে চকুমুদি টলকা মাৰি ডাক্তৰৰ সাধু শুনিব লাগিছো। নবেন বাবু নেকি, সেই চেলেপু জনে তাকে দেখি এইষাৰ কথা কখিলে।

সভাপতি—"সে সব যাক, গল্পটা শেষ কৰুণ।"

ডাক্তৰে আকৌ আৰম্ভ কৰিলে—"সেই দিনা ৰাতি তিনি বজাত মোৰ এবাৰ চাঁতকৰে টোপনি ভাগিল। শুনিলো, বাহিৰৰ দুৱাৰ মুখৰ পৰা 'ডাক্তৰ বাবু! ডাক্তৰ বাবু!' বুলি কোনোবা মানুহ এটাই মোক বিঙিয়াই মাতিছে। মাজে সময়ে ৰোগী চাবলৈ এই দৰে ৰাতি আহি মানুহে মোক মাতে। মই ঘপ্কৰে উঠিলো। উঠিলো হয়, কিন্তু মোৰ খুব খং উঠিছে, যে দুৱৰিটোৱে কিয় উত্তৰ দি মানুহটোক বহিবলৈ ঘৰৰ দুৱাৰ মেলি দিয়া নাই। উঠি তেতিয়াও আকৌ দুবাৰ শুনিলো 'ডাক্তৰ বাবু! ডাক্তৰ বাবু!' 'চবুৰ কৰ যাতা হায়' বুলি লৰালৰিকৈ আহি চৰাঘৰৰ দুৱাৰ মেলি দিলো। বাহিৰত ফৰিংফুটা জোনাক। দেখিলো ৰামলোচন চোতালত থিয় হৈ আছে!! মই 'আইঔ'!" বুলি চিঞৰ মাৰি দিলো। চিঞৰ শুনি দুৱাৰৰ কাষতে শুই থকা দুৱৰিটোৱে "ক্যা হুৱা হুজুৰ" বুলি শোৱা পাটিৰপৰা উঠি উধাতু খাই ওলাই আহিল। কিন্তু ৰামলোচন চকুৰ আগতে নাইকিয়া হ'ল।"

ডাক্তৰৰ সাধুত মই ইমান মগ্ন হৈ আছিলো, কেতিয়া যে গাড়ী আহি আচান্সোল পালেহি গমকে নেপালো। টিকেটকলেক্টৰে "Ticket please"

* কি ঠাইখনৰ নাম কাঢ়িলে গাড়ীৰ ঘৰ্ঘণিত মই ভালকৈ নুশুনিলো।

বুলিলতহে খচুমচুকৈ টিকেটটো উলিয়াই দেখুৱাই, পুনৰ গাড়ীত যাম ভাবি আচাঙ্কোলতে নামি পৰিলো। মই নামি যোৱা দেখি অতিকায়সকলৰ বৰপেটৰ পৰা আহলাদসূচক এই কেইটা "আৱাজ" উঠিল "Thank you Shaheb, much obliged, you are very good."

খোৰাঁখোৰা

প্ৰথম আধ্যা

গঙ্গাৰাম ডাঙৰীয়া কাছাৰীৰ পৰা আহি হাত-মুখ ধুই আগচোতালতে হাত-ভগা মাচিয়া ডোখৰত দুইমোন-দুই-সেৰীয়া থুলন্তৰ গাটো থৈ গধূলি বেলিকা জুৰ লৈছে। ডাঙৰীয়াৰ হাত কপৰ খোঁৰাখোৰাই, ভৰি হাতী-দাঁতৰ চুলা-দিয়া কঠাল কাঠৰ খৰমে, ডিডি তুলসীৰ জগনুথীয়া মলাই পোহৰাব লাগিছে। এনেতে, লৰ্ ফৰ্ কৰে টিকনি জোকাৰি তামোলৰ ৰাঙেৰে দেইপৰা, খুনুপাকৰ মুখ যেন ওঠ দুটা মিচিকীয়া হাঁহিৰ চোচনি দোলেৰে দুফালে টানি, চ লীয়া, ফাপৰে-খোৰা, পেটু-ওলোৰা তালতলি চটি জোতাৰে কটপ্ কটপ্ কৰে গোবোৰাত মাৰি, আমুকা পণ্ডিত ওলালহি *।

গঙ্গাৰাম—আহ পণ্ডিত আহ বহ, আজি তিনি চাৰি দিন তোৰে সৈতে দেখা সাক্ষাৎ নাই। কলৈ গৈছিলি ?

পণ্ডিত—কলৈকো যোৱা নাছিলো দেউতা, কঁকালৰ বিষত এই তিনি দিন ঘৰতেহে পৰি আছিলো।

গঙ্গাৰাম—তইঁত ডেকা মানুহৰনো আকৌ কঁকালৰ বিষ কিহৰ ? আমাৰ নিচিনা বয়সত তইঁতে পোৱাপাটীৰ পৰা উঠিবই নোৱাৰিবি কি জানি। হেৰ বাতীয়া, আমুকা পণ্ডিতলৈ ধপাত এচিলিম লৈ আহ।

পণ্ডিত—সকতে দেউতা অমৃতা গছৰ পৰা পৰি মোৰ এই কঁকালৰ বিষটো হ'ল; থাকি থাকি মাজে মাজে উক দি উঠে। আৰু এটা কথা, দেউতা বোলোতে ভাগ্যবান পুৰুষ; আমিনো এনে শৰীৰ পাবনে ?

গঙ্গাৰাম—(মিচিকিয়াই) হেৰ বাতীয়া, তোৰ দেখোন ধপাত এচিলিমেই আজি অনা নহয়। বেগাই লৈ আহ। হেৰ ৰামেশ্বৰ! অ' ৰামেশ্বৰ! হেৰ বাতীয়া ৰামেশ্বৰ গ'ল কলৈ ?

বাতীয়া—দেউতা ৰামেশ্বৰ বোপা নাই, কৰবাত ফুৰিবলৈ গৈছে।

গঙ্গাৰাম—তয়ে ভিতৰত ক গৈ, গোহালি ঘৰৰ কাষৰ কঠাল জোপাৰ কঠালটো যে মই পৰাই শাল মৰাই থৈছিলো, পকিব পায়; পণ্ডিতক সেইটো তেনেকৈ খাবলৈ দিয়ক। ইনো ৰামেশ্বৰ গধূলি ফুৰিবলৈ যায় কলৈ ? গোসাঁই ঘৰত চাকি-চুকা এটা দিবলৈ পাৰলৈ নাই। ই সদায় সন্ধ্যা বেলিকা কাৰ ঘৰলৈ গৈ কি কৰে; কিবা কব পাৰ নে পণ্ডিত ?

এনেতে পাঁচ বছৰীয়া মাহিগ্ৰী ভিতৰৰ পৰা দলিটো অহাদি লৰি কলে "দেউতা, ককাইদেৰে দিনৌ ফয়থলা নবিথৰ ঘৰত ধপাত খায়গৈ।" কথাষাৰ ডাঙৰীয়াৰ কাণত, তুলাত ফিবিঙতি পৰাদি পৰিল।

গঙ্গাৰাম—সঁচা নে ই কুলাধমে ধপাত খাবলৈ শিকিলে ?

মাহিগ্ৰী— সঁচা সঁচা দেউতা, ককাইদেৰে খুব ধপাত খায়। তুমি কাছাৰীলৈ গলে, তোমাৰ হোকাত ককাইদেউ আৰু বাতীয়া দুয়ো ধপাত খায়। মই নিতৌ তোমাক কৈ দিম বুলি ভুমিয়াই থাকো; তোমাক নকবলৈ নিতৌ তেওঁ মোক পয়ধা দিম বুলি টুটুৱাই থাকে, নিদিয়ে; সেই দেখি কৈ দিলো।

পণ্ডিত—হয় দেউতা ৰামেশ্বৰ বোপাই খুব ধপাত খাবলৈ শিকিলে। তেওঁৰ ধপাতৰ চাটি দেখিলে ভয় লাগে।

গঙ্গাৰাম—মোক ইমানদিনে তইঁতে কোৱা নাছিলি কিয় ? তইঁত এটায়ে মোক মৰিয়াই মাৰিবৰ কাৰবাৰ কৰিছহঁক। যা যা পণ্ডিত তই এতিয়াই বৃহ্মুৰধীক ফয়চলানবিচৰ ঘৰৰ পৰা ধৰি লৈ আহ গৈ। বাতীয়া গোলাবক ধৰ! ধৰ! মোৰ হোকাত ধপাত খায়। কি বিষম সাহ। ই গোলাবে মোৰ ল'ৰাটোক ধপাত খাবলৈ শিকালে। খালে।

দ্বিতীয় আধ্যা

ডাঙৰীয়াৰ খোৰাঁখোৰাত ধপাত খোৱা আৰু ধপাত খাবলৈ শিকাই ৰামেশ্বৰৰ মুৰ খোৱা অপ-

* এই পণ্ডিতৰ কোনেও নাম নেজানে। সকলোৱে এওঁক আঁমুকা পণ্ডিত বুলি মাতে। এওঁ ইমান কিপিণ যে এওঁৰ নাম কাঢ়িলে যেনো নাম কাঢ়োঁতা জনৰ সেই দিনা ভাতচকলৈ ভাল নেথায়। আমিও এই ভয়তে নাম নেকাঢ়ি আমুকা বুলি গা সাৰিলোঁ।

ৰাখত বহুদিনীয়া পুৰণি লগুৱা ৰাতীয়াৰ পিঠিৰ ছাল আৰু চাকৰি লগে ভাগে গ'ল। এই দণ্ডত ৰাতীয়াক আমি পুতো নকৰো, তাৰ দোষ চাই দণ্ড হ'ল। কিন্তু যাই জগৰীয়া কোন এই কথাৰ বুজ নহ'ল। যাই জগৰীয়া ৰাতীয়াও নহয়, ৰামেশ্বৰও নহয়, কয়চলানবিচৰ পুতেক বা আন লগৰ লগৰীয়া ধপতুৰাহঁতও নহয়। তেন্তে নো কোন? কলেও লাগিব লেঠা, বুলিব গা পালিছি দেখোন। কটামুখেৰে নকৈও নোৱাৰি। যাই জগৰীয়া—ডাঙৰ পাণ্ডৰী, ডাঙৰ গাৰু আৰু ডাঙৰ গাৰে আমাৰ ডাঙৰীয়া ভেৰা গঙ্গাৰাম।

জ্ঞানীলোকে কয়, উপদেশতকৈ আহি ভাল। তেওঁৰ নিজ ধপতুৰা তেজ মঙহেৰে গঠিত পাতল মনৰ পুতেকৰ আগত খোৰাঁখোৰা লৈ দিনে-ৰাতিয়ে ধপাত খাই তেওঁৰ ঘৰ ধুৱঁলী-কুৱঁলি কৰি থাকিব, আৰু সেই পুতেকে সেই আহি নোলোৱাকৈ হাত সাৰটি ৰহি থাকিব, এনে আশা কৰাটোৱেই অদ্ভুত। এশৰ ভিতৰত দুই চাৰিটা নৰাইহে, ধপাত আদি ৰাগীয়াল বস্তু খোৱা বাপেকৰ অগজ আহি নোৱা লোভৰ হাতৰ পৰা সাৰিব পৰা দেখা যায়। মানুহৰ মন, বিশেষকৈ ল'ৰাৰ মন তপতে তপতে আমোদ পোৱা পাপকাৰ্য্য কৰিবলৈ অলপতে ঢাল লয়। লোকৰ, যাইকৈ মাক-বাপেকৰ আহি নোৱাটো ল'ৰাৰ স্বভাব। খিতাতে-ৰং-লগোৱা ৰাগীয়াল বস্তু, ধপতুৰা বাপেকৰ আহি আৰু ৰাতীয়া লগুৱাৰ কুসংসৰ্গ, এই এটাই কেইটাই লগলাগি ৰামেশ্বৰক ধপাত গোগানীৰ আগত বলি দিলে। নেচাবি বোলা বস্তুটো যেচি দেখনিযাব, আৰু নেখাবি বোলা বস্তুটো বৰ সোৱাদ যেন লাগে। আমাৰ ৰামেশ্বৰৰ মনতো খাবলৈ-হাক ধপাত, চেনিতকৈ সোৱাদ আৰু ধন-সোণতকৈ মূল্যবান হৈ উঠিল। দেখোঁতে দেখোঁতেই শ্ৰীলশ্ৰীযুক্ত গঙ্গাৰাম ডাঙৰীয়াৰ জল-পিণ্ডৰ আশা আমুকা পণ্ডিতৰ ভৰসা, ডাঙৰীয়ানীৰ আলসুৱা পুতেক শ্ৰীমান ৰামেশ্বৰ ডেকাডাঙৰীয়াৰ বৰ ধপতুৰা নাম যোৰহাট চহৰৰ, পুবে কুমাৰগাঁও, পশ্চিমে দাবুৰিচোৰগাঁও, উত্তৰে ডোমগাঁও, দক্ষিণে হাজাৰী-গাঁও আৰু বলীগাঁও—এই চাৰিসীমা বিয়পি পৰিল।

তৃতীয় আধ্যা

কালক্ৰমত শ্ৰীযুত গঙ্গাৰাম ডাঙৰীয়াই নিজ নামৰ আগৰপৰা "শ্ৰী"ক আসনচ্যুত কৰি সেই ঠাইত ৺ এই চিনটি বহুৱাই, আৰু নিজ বংশধৰ ৰামেশ্বৰক নিজ উত্তৰাধিকাৰীৰ আৰু প্ৰতিনিধিৰ আসন এৰি দি, বিৰদ-বায়ু-বাৰি-বহ্নি-বসুন্ধৰীৰে মিলি গ'ল। ভূতপূৰ্ব ৰামেশ্বৰ বোপা, ওৰফে ৰামেশ্বৰ ডেকাডাঙৰীয়া, বৰ্ত্তমান শ্ৰীযুত ৰামেশ্বৰ সম্পূৰ্ণ ডাঙৰীয়া, গতিকে এই পাঁচ দফা বস্তুৰ মালিক হ'ল:

(১) মাক আৰু ভনীয়েক।

(২) ঘৈণীয়েক।

(৩) ১০ জোপা বাঁহ, ১৭৫ জোপা তামোল, ২০ জোপা আম, ১৩ জোপা কঠাল, আৰু সৰুসুৰা আন আন গছেৰে সৈতে বৰঘৰ, মাৰল-ঘৰ, চৰাঘৰ, গোঁসাই-ঘৰ আৰু গোহালি-ঘৰ বিশিষ্ট, যোৰহাট নগৰস্থ পৈতৃক সম্পত্তি।

(৪) ১৮৪২৻৯ টকা কেঞা মুদি আৰু দুই চাৰিজন সুতখোৱা লোকৰ ঘৰত পৈতৃক ধাৰ।

(৫) ৰূপৰ পৈতৃক খোৰাঁখোৰা।

অচিৰতে উল্লিখিত সম্পত্তিৰ স্বত্বাধিকাৰী নতুন ডাঙৰীয়া ৰামেশ্বৰৰ গমন গজেন্দ্ৰৰ নিচিনা। বচন ভগা-ঢোলৰ নিচিনা আৰু গলধন মতা ম'হৰ নিচিনা হৈ পৰা দেখি আমি আচৰিত নেমানিলো। ৰামেশ্বৰ পুৱা ডাঙৰীগাৰ গাদিত উঠিবৰ দিনাৰপৰা ৰূপৰ খোৰাঁখোৰাৰ খোৰাঁই, তেওঁৰ জীৱনৰ একমাত্ৰ ওখ আশা পৰিপূৰ্ণ কৰি, বৰখুটা-ৰবচতিৰে পৈতৃক চৰাঘৰটো, সকলোৱে দেখা শুনাকৈ ধুৱঁলী-কুৱঁলি কৰি থবলৈ ধৰিলে।

চতুৰ্থ আধ্যা

টকাই টকা আনে বুলি বুঢ়ালোকে কয়। বিয়োগ চিনৰ "—" কানমাৰি কাষত লৈ ১৮৪২৻৯ টকাই নিজৰ লগলৈ অতি অলপ দিনৰ ভিতৰতে ২৩১৩।০ টকা ভাৰ বান্ধি আনিলে। ধাৰ দিওঁতা কেঞামহাজন দোকানী পোহাৰীৰ ভিতৰত ৰামেশ্বৰ ডাঙৰীয়াক ভেট ভেট লাগি পৰিল। দলনিত নমা ম'হৰ ঠেঙত জোক ওলোমাদি ৰামেশ্বৰ ডাঙৰীয়াৰ গাত জোকাজোকে মামলা-মোকৰ্দমা ডিক্ৰি ডিক্ৰিজাৰি ওলমি পৰিল। দেখোঁতে দেখোঁতেই বাপতীসাহোনে মাৰ্টি-ৰাৰী অলঙ্কাৰ-পাতি যি আছিল সকলোবোৰ, কুটা পাচীৰপৰা জুৰ-জুৰ কৰে খালি সৰি পৰাদি পৰি নাইকিয়া হ'ল। ৰামেশ্বৰ ডাঙৰীয়াৰ কিন্তু তাত বেজাৰ নাই। হৰিয়ে দিছিল, হৰিয়েই আকৌ হৰি নিলে। উপজি আহোঁতে তেওঁ ধন-সম্পত্তি একো লগত লৈ অহা নাই, এই পৃথিৱী এৰি যাওঁতেও সেইবিলাক একোকে তেওঁ লগত লৈ নেযায়। অৱশ্যে পৈতৃক ৰূপৰ খোৰাঁখোৰাটো হাতৰপৰা যাবৰ দিনা তেওঁৰ দুচকুৰে দুধাৰ লো বৈ গৈছিল; কিন্তু সেই দুধাৰ লো তেওঁ সকলোৱে আগতে তেভিয়াই মচি পেলালে। তেতিয়াৰ পৰা তেওঁৰ

চকুত পানী দেখিছো বুলি কোনোবাই শপত খাই কব পাৰে যদি কওকচোন ? কন্দাই গ'ল ভদাই আহিল ; ৰূপ খটোৰা খোৰাঁখোৰা গ'ল, তাৰ পিছ দিনাই নাৰিকলৰ উকা খোৰাঁখোৰা আহিল। ৰূপৰ খোৰাঁখোৰাইদি যেনে ৰৰণৰ যি পৰিমাণৰ খোৰাঁ তেওঁ উলিয়াইছিল, আজিৰ এই চৰতীয়া বেছুৰ খোৰাঁখোৰাতো তেওঁ তেনে ৰৰণীয়া আৰু সিমান পৰিমাণে খোৰাঁ উলিওৱাত কোনো ব্যাঘাত জন্মা নাই। তেন্তে তেওঁৰ সিচিনা জ্ঞানীলোকৰ তাত বেজাৰৰ কাৰণ কি আছে ? আগেয়ে তেওঁ ঘৰ দুৱাৰ আদি নানা বিষয়ৰ ভাৱনা জালত পৰি আছিল, এতিয়া সেই জালৰ পৰা এৰাই আহি এক খোৰাঁ-খোৰাৰ চিন্তাত ৰ'লহি। শাপ নহল তেওঁৰ পক্ষে ই বৰ, আৰু "বাহ্ম নহল পৰম প্ৰসাদ"হে হ'ল, অন্ততঃ তেওঁৰ এনে বিশ্বাস। বোজা পেলাই এতিয়া ৰামেশ্বৰ ডাঙৰীয়াই গাটি ফুলৰ চাকি যেন লঘু পালে ; আৰু ডাঙৰীয়াৰ লগে লগে আমি দৰ্শক সকলৰ গা কেইটিও লঘু লাগি পৰিল।

বহুতে ভাৱি মূৰ তপা কৰিছে, যে ৰামেশ্বৰ ডাঙৰীয়াৰ কিহত ইমানখিলাক ধাৰ লাগিল ? তেওঁৰ দোষৰ ভিতৰত কেৱল ধপাত খোৱাটোৰ বাহিৰে দেখোন একো শুনিবলৈ পোৱা নেযায়। খোৰাঁখোৰাই দিনে ৰাতিয়ে মৰিমুজি তোৰ্ তোৰাইও যে এই অলপ কালৰ ভিতৰতে মাতি আনি, ইমান বিলাক ধাৰৰ বৰষুণ বৰষাবৰ সমৰ্থ হ'ব, এনে সম্ভৱ নহয়। সত্যৰ খাতিৰতে সৈ কঢ়া উচিত যে ওপৰত কোৱা 'বহুতৰ' ভিতৰত আমাৰও আসন আছে। এই নিৰ্দোষী "বহুত" বেচেৰা-হঁতৰ নিচিনাকৈ, লোকৰ আপোন আপোন অৱস্থাদি সম্পৰ্কে গোপনীয় ঘৰুৱা কথা জানিবৰ নিমিত্তে আকলুৱা হৈ শুং বিচাৰি ফুৰা অভ্যাসটো আমাৰো নাই বুলি ধৰম চিঞৰাই কব নোৱাৰোঁ। কিন্তু অহোপুৰুষাৰ্থ কৰিও এইবাৰ এই কথাৰ শুং বা পুং বিচাৰি উলিয়াব নোৱাৰিলো। এইবাবে শুং অন্বেষণকাৰী ভ্ৰাতৃৰগুলীৰ ওচৰত আমাৰ গলবস্ত্ৰে ক্ষমা প্ৰাৰ্থনা।

এইখিলাক বেই কিবা নহওক, এইটো ধ্ৰুৱ যে পাঁচ দফা সম্পত্তিৰ মালিক ৰামেশ্বৰ ডাঙৰীয়া টুটি গৈ দুবছৰৰ ভিতৰতে মোটে এদফাৰ মালিকত ৰ'লগৈ। সেই দফাও আগৰ দফাৰ পাইকহে, যথা—নাৰিকলৰ কোৰোকাৰ উকা হোকা একগোট। অৰ্থাৎ আগৰ পৈতৃক ৰূপ-খটোৰা খোৰাঁখোৰাৰ প্ৰেতাত্মা বা ভূত . চাবি পৰচীয়া হোকা এটা বিপদ নৈৰ ঢল অহাদি আহে। তেওঁৰ বাৰ ভনীয়েক আৰু বৈণীয়েককো বিপদৰ বানে এই সংসাৰৰ পৰা অলপ দিনৰ ভিতৰতে উটাই নৈ গুচি গ'ল।

সকলোৰে চকুৰ আগতে ৰামেশ্বৰে ডাঙৰীয়া এই পৃথিৱীত অকলশৰীয়া হৈ পৰিল। বিপদৰ বন্ধু এক খোৰাঁখোৱাত বাজে ইহ সংসাৰত তেওঁৰ সহায়-সাৰথি আৰু কোনো নৰ'ল। তাকে হাতত লৈ, পৰ্ব্বত যেন মানুহ সেই ৺গজাৰাম ডাঙৰীয়াৰ পুতেক অকলশৰীয়া ৰামেশ্বৰ ডাঙৰীয়া, যোৰহাট নগৰৰ আলিবাটত টৌ টৌ ফুৰিবলৈ ধৰিলে।

পঞ্চম আধ্যা

জেঠৰ ৭ তাৰিখে দুপৰীয়া দিখৌমুখলৈ যোৱা বাটৰ গছ এজোপাৰ তলত এজন মানুহে হাতত খোৰাঁখোৰা লৈ বহি ·জিৰাইছে। বৰ ব'দ কিন্তু গছৰ ছাঁত জুৰ। দূৰৰ গছ-গছনিত জিলীয়ে কেৰ-কেৰীয়া দীঘল সুৰীয়া, আমি বুজিব নোৱাৰা গীত গাইছে ; আৰু আলিৰ কাষৰ গছজোপাৰ তলত সেই মানুহজনৰ হোকাই সেই গীতত আমি বুজিব পৰা চুটি আৰু দীঘল দুই ৰকমৰ গোৰগোৰীয়া সুৰ দিছে। এনে সময়তে টাপলি মৰা ছাতি এটা লৈ, আমাৰ চিনাকি টিংকনি জোখাৰি, আৰু এজন মানুহ কাষ চাপি আহি মাত লগালে, "হু। এইটি আমাৰ ৰামেশ্বৰ খোপা ডাঙৰীয়া নে কি ? ৰূপৰা ওলালাহি ?"

ৰামেশ্বৰ—তেৰেঁই। তুমি নো ৰূপৰা ওলা-লাহি আগেয়ে কোৱাচোন ?

আমুকা পণ্ডিত—মই এটা সন্ধানত ৰংপুৰলৈ গৈছিলো। দক্ষিণপটীয়া গোসাঁই ঈশ্বৰৰ কাইলৈ শ্ৰাদ্ধ পাতিছে, তালৈকে যাবলৈ বুলি আহিছো, তুমিও সেই মুৰেইনে কি ?

ৰামেশ্বৰ—এৰা, ঘূৰি-পকি আহি আমিও সেই মুৰেই। ভালেদিন গুৰু ঘৰলৈ যোৱা নাই, এই সময়ত গৈ সেৱা এটা কৰি আহোঁগৈ বুলি ওলাইছো। ভালেই হ'ল, দুয়ো একেলগে যাওঁহঁক। ধপাত এহোঁপা নোখোৱানে ?

পণ্ডিত—কিয় নেখাম ? দিয়া।

ৰামেশ্বৰ—এতিয়া আৰু তোমাৰ আগত মই তাহানিৰ নিচিনাকৈ খোৰাঁখোৰা নুলুকাওঁ। হিঃ হিঃ হিঃ। মনত আছে নে ?

পণ্ডিত—আছেতো। তুমি এতিয়া ডাঙৰ শাৰীলৈ 'প্ৰমোচন' পালা। তেতিয়া তুমি — 'পোৱালি' আছিলা। হিঃ—হিঃ—হিঃ—।

ষষ্ঠ আধ্যা

দিখৌমুখত ধাপৰ সোহোৰা গাও এখন লৈ ৰামেশ্বৰ ডাঙৰীয়া আৰু আমুকা পণ্ডিতে ফুৰিলে...

পাটলৈ পাৰি দিলে। গোসাঁইৰ শৰাধত কিমান দক্ষিণা আৰু কাপোৰকানি পাব, মনে মনে তাৰ লেখ কৰি আমুকা পণ্ডিত নাৱৰ চৰখতে বহি টলকা মাৰি যাব লাগিছে। ডাঙৰীয়া ৰামেশ্বৰেও কাষতে বহি মৌন হৈ, কি ভাবি কৰ নোৱাৰো, হোঁকা হুপি যাব লাগিছে।

গুৰিয়াল—দেউতা, সৌৱা ৰিণিকি ৰিণিকি দক্ষিণপাট সত্ৰৰ গছ দেখা পোৱা গৈছে।

"হয়নে কতা?" বুলি ৰামেশ্বৰ ডাঙৰীয়াই, বা ভূতপূৰ্ব্ব ৰামেশ্বৰ ডাঙৰীয়াৰ অৱশিষ্টই, খচ্মচ্ কৰে উঠি সত্ৰৰ উদ্দেশ্যে সেৱা কৰিবৰ খোজোতেই, কেনেবাকৈ হাতৰ পৰা সচিলিম ধোৱঁাখোৱাটো ব্ৰহ্মপুত্ৰত পৰিল। ডাঙৰীয়াইও মুহূৰ্ত্ত মাত্ৰও অপেক্ষা নকৰাকৈ চৰতীয়া বেচৰ ধোৱঁাখোৱাটো ধৰি আনিবৰ মনেৰে নিজৰ বহুমূলীয়া শৰীৰটোক, নাৱৰীয়াইঁতৰ আৰু পণ্ডিতৰ "হে কি কৰা? কি কৰা?" চিঞৰবলৈ আওকাণ কৰি, জপং কৰে ব্ৰহ্মপুত্ৰৰ মাজত পেলাই দিলে।

হায়! হোকাটো ব্ৰহ্মপুত্ৰৰ চান সোঁতত ভালেমান দূৰলৈকে সোঁ-সোঁ কৰে উটি যোৱা দেখা গ'ল। কিন্তু ডাঙৰীয়াক আৰু দেখা পোৱা নগ'ল। পণ্ডিত আৰু নাৱৰীয়াইঁতে মূৰে কপালে হাত দি, "হায়! হায়! কি হ'ল!" কৰিবলৈ ধৰিলে।

বিয়লি বেলিকা নাওখন আহি দক্ষিণপাটৰ ঘাট চাপিলহি। নাও ঘাট চপা দেখি পণ্ডিতে লাহেকৈ মাত লগালে, "নাৱৰীয়া ককাইহঁত এটা কথা; আদখিনি ঘাটলৈকেতো ৰামেশ্বৰ ডাঙৰীয়া নাৱত আহিছিল, সেইদেখি সেইডোখৰ বাটৰ বাবে আদখিনি কেৰেয়া তেওঁৰ গাত। মোৰ পৰা বাকী আদখিনিহে তহঁতে পাব লাগে।"

নাৱৰীয়াইঁত—বাপু দেউ, আপুনি যাওক, আমাক একো দিব নেলাগে। আজি আমি এজন মানুহকে হেৰুৱালো, ধন লৈ আমি চহকী নহওঁ।

এই কথা শুনি "বাক বোপাইহঁত কুশলে থাক" বুলি পণ্ডিতে দুই হাত দাঙি নাৱৰীয়াইঁতক আশীৰ্ব্বাদ কৰি নাৱৰ পৰা বামলৈ উঠিবলৈ কাৰবাৰ কৰিছে, এনেতে কাষতে জাজী এসোপাৰ মাজত লাগি থকা এটা ধোৱঁাখোৱাত তেওঁৰ চকু পৰিল। খাগৰি এডালেৰে হাকুতিয়াই পণ্ডিতে হোকাটো আনিলে। দেখোন ৺ ৰামেশ্বৰ ডাঙৰীয়াৰ সেই সাংঘাতিক ধোৱঁাখোৱাটো।

ভদৰী

প্ৰথম আধ্যা

"ঐ অ! ভাত লৈ আহ!—শুনিছনে? থোলো ভাত লৈ আহ!" এইবুলি নাঙলটো চোতালতে থৈ শিশুৰামে লৰা-লৰিকৈ আঠুমূৰীয়া তিতা চুৰিয়াখন সলাই বৈণীয়েক ভদৰীয়ে ভাত-বন্ধা খোটালি পাই দেখিলে, ভাতে ফুটহে কাঢ়িছে। আগ্নাৰ ফালেও ততোধিক মলিয়াইছে বা কলিয়াইছে হে বুলিব লাগে। অৰ্থাৎ ঢেকীয়া শাকমুঠি মেলাহি-বাটিটোত বাছি থোৱা হৈছে, ধোৱাও হোৱা নাই; কলাপাত এডোখৰৰ ওপৰত ওচৰতে মৈদাখন মৰা ম'ৰা চৰাইটো যেন কাতি হৈ পৰি আছে, আৰু ঠেতেলামূৰীয়া মাটি সনা ক'ৰৈ মাছকেইটাই, ভাং খাই টঙনাটঙনি কৰি মূৰ ফলাফলি কৰা ছাই সনা ফকিৰৰ দৰে, পৰি ছট্ফট্ কৰিব লাগিছে। সিফালে ভাতৰচৰুৰ তলত গেৰেহা খৰি লৰালৰিকৈ সুমাই দি, ভদৰীয়ে কমাৰৰ ভাতীৰ নিচিনাকৈ ফোচ্ ফোচ্ কৰি ফুৱাইছেহে ফুৱাইছে কিন্তু খৰিৰ জাৰেই মৰা নাই, সোঁ-সোঁ-সোঁ কৰি খৰিয়ে কেকনি-গেথনিহে ধৰিছে। শিশুৰামৰ খং মূৰৰ চুলিৰ আগ পালেগৈ। কেইবাটাও কথাই আজি পুৱাৰ পৰা শিশুৰ খংজুই জলাই থৈছিল; দুপৰীয়া হাল মেলি আহি ভাত নোপোৱা কথাটোৱে সেই জলা জুই-কুৰাত ঘিঁউ চালি দিলে মাথোন। প্ৰথম কাৰণ, আগদিনা শিশুক লখোণে থৈ আৰু তাৰ হাল খতি কৰি নিঠুৰ কৃষ্ণা একাদশী গুছি গ'ল। দ্বিতীয় কাৰণ, একাদশী কৰি গা-বহা গৰাকীৰ দৰে, গৰুহালেও হালত নেৰাঙ-নপঙকৈ পুৱাৰে পৰা শিশুক মহা আমনি কৰি আছিল। স্বৰূপতে পথাৰৰ এটাইখিনি কথা ভাঙি-ছিঙি কৰ লাগিলে, গৰু হালৰ গাত, কামৰ সময়ত "গাফিলি" কৰি কাজত ঘুৰলিৰেই গুইপৰা জগৰ পৰে; আৰু গৰুৰ গৰাকীৰ গাতো হিন্দুৰ পূজ্য গোজাতিৰ বিপক্ষে অতি অহিন্দু ধাইক প্ৰয়োগ কৰা আদি ডাঙৰ জগৰ আহি পৰে। লোকে যিহকে কওক, আমি কিন্তু লগনীয়া স্বভাৱৰ লোক নহওঁ। সেইবিলাক টুটকীয়া কথা লগাই, একাদশী কৰি পেটে কঁকালে লগা বপুৰা শিশুৰামক আৰু লখোণে-ভোকে থবৰ আমাৰ ইচ্ছা নাই; আৰু গৰুহালৰ ওপৰত ভদৰীৰ পেলাই বদ্ধ গৈ থকা ভাল মতটো বহি-পিহি গুচাই দিবৰ অভিলাষো আমাৰ নাই। তৃতীয় কাৰণটো এইখিনিতে লগে ভাগে কৈ থোৱা ভাল, নাইবা ভদৰী-শিশুৰামৰ এই উপাখ্যানটো এই পৃথিবীত অঙ্গহীন হৈ ৰব। যথা, মাটিৰ সীমা ঠেলা বাবে বেথাই যদুৰাৰে সৈতে সেই পুৱাই পথাৰত শিশুৰামৰ অলপ থকা-খুন্দা লাগি আহিছে। থকা-খুন্দাটো, তলত বিজিত মুঠি ওক-

পাদি ওকলি, ডাঙৰ হৈ উঠিছিল,কিন্তু গতি বিষম দেখি বহুৱা বেথায়ে খোচ মাৰি, ওকলি উঠা টোটো ফুটাই দি পলাল দেখি জানিবা সেই থকা-খুন্দা অৱস্থাতে ৰ'ল। এই বিচিত্ৰ সংসাৰত পূৰ্ব্বাপৰ প্ৰচলিত নিয়ম আছে, যে বাহিৰত যতে যিহতে পুৰুষৰ খং উঠক, তাত সেই খঙৰ সদ্ব্যৱহাৰ বা অসদ্ব্যৱহাৰ তেওঁ কৰিব নোৱাৰিলে, ঘৰলৈ উভতি আহি ঘৈণীয়েকৰ ওপৰত, সঁচাই-মিছাই সেই খং দপালি দি খৰ মতা ওলায়। আমাৰ সংসাৰী শিঙৰামো এই প্ৰচলিত নিয়মৰ বাহিৰা নহয়। ইয়াৰ আগেয়ে সি এদিন অযাইটং বেথাই বহুৱাৰ পালতে পৰি নগুৰ্নাগতি হৈ আহি, গোহালিত এতিয়ালৈকে জাকি দিয়া হোৱা নাই বুলি, ঘৰ সোমায়েই অনাহকতে ভদৰী বেচেৰীৰ পিঠিত ও পৰা কথাও আমি জানো।

গিৰীয়েকৰ এনে ধৰ মতালিৰ মানে ভদৰীয়েও বঢ়িয়াকৈ বুজি, একো নেমাতি আই বসুমতীৰ দৰে পিঠি পাতি দি সদাই সহি থাকে। বাস্তৱিক পক্ষতে ভদৰীৰ এনে বিশ্বাস হৈ গৈছিল যে ভুকুটো চকাটো চৰটো গোৰটো আৰু কাঠখৰি আৰু ঢেকিঠোৰাৰ মাৰটো, উঠা-বহা, খোৱা-লোৱাৰ লগৰে বিবাহিত জীৱনৰ এটা অপৰিহাৰ্য্য অঙ্গ। কিন্তু সকলো কথাৰে এটা যুক্তিসঙ্গত সীমা আছে; মাৰ-কিলো যে অসীম ঈশ্বৰৰ জগতে এটা অসীম পদাৰ্থ এনে নহয়। সহন-শিৰোমণি বসুমতীৰো কেতিয়াবা কেতিয়াবা শিল-মাটিৰ গা কঁপে। আমাৰ সৰু-সহনীয়া ভদৰীৰ তেজ-মঙহৰ শৰীৰেও থাকি থাকি অসহ্য হলে কেতিয়াবা দুটা এটা জিকাৰ মৰাটো কি টান কথা? কেঁচা খৰিৰ ধুই ফুৱাই ফুৱাই নাকৰ পানী আৰু চকুৰ পানীয়ে একে হোৱা ভদৰীয়ে দুৰ্ভাগ্যবশতঃ আজিও এটা অসঙ্গত আৰু অযুগুত জিকাৰ মাৰি দিলে।

শিঙৰাম—অমুকৰ জীয়েক, এই বেলি তিনিপৰীয়ালৈকে ভাত হোৱা নাই কিয়?

ভদৰী—মোৰ মূৰটোৰে ভাত বান্ধি দিমনেকি? খৰি এডাল বুলিবলৈ নাই। গেৰেহা কেঁচা খৰি ফুৱাওঁতে ফুৱাওঁতে হাবাথাস্তি হৈছো। মুখুজা নেবেলাকৈ দুপ্‌দুপাই উঠিলেই হ'ল নেকি?

"বেটী কি বুলিলি?" এইবুলি জমদগ্নি শিঙৰামে, কাৰে মাছৰ তেজ পিবলৈ টোপালি পাৰি পৰি থকা বৈদাখনেৰে, ভদৰীৰ পিঠিত ওপৰা ওপৰিকৈ দোকোৰ মাৰিলে। তৃতীয় কোৰ মৰাৰ আগেয়ে, ভদৰীৰ চিঞৰ শুনি লৰি আহি, শিঙৰামৰ বেলেগতীয়া ভায়েক কিনাৰামে পিচ ফালৰ পৰা "হে হে ককাই কি কৰা!" বুলি শিঙৰামক সাবটিমাৰি খাপমাৰি হাতৰপৰা তেজেৰে বাঙলি বৈদাখন কাঢ়ি নিলে। ভদৰী তেজেৰে টুংৰলি হৈ মুচ্ছুকচু গৈ মাটিত পৰিল।

দ্বিতীয় আধ্যা

আস্পতালত থাকি তিন দিনৰ মূৰত ভদৰীয়ে জ্ঞান পালে। জ্ঞান পায়েই প্ৰথমেই কাষত থকা ডেবেচীক সুধিলে "তেওঁ কলৈ গ'ল?"

ডেবেচী—কৌন "তেওঁ?"

ভদৰী—(অলপ অপ্ৰস্তুত হৈ) আমাৰ তেওঁ। মোৰ গিৰিহঁত।

ডেবেচী—ও আদমী হাজোত মে আছে।

ভদৰী—তেওঁক মাতি পঠিয়াওক দেউতা।

ডেবেচী—ক্যা মাতি পঠিয়াও গে; ও আদমি আভি আহিবে নাহি পাৰিবে। উচ্কো তো হাজত মে দিছে। আচ্ছা তুমি বহু আভি। তোমাৰা আদমিকা বাত তুমি আভি নাহি ভাবিবে। ও বাত আভি ভাবিলে হানি জানিছে তোমৰা বেমাৰ বহুৎ বেছি হবে।

আস্পতালৰ ডেবেচীৰ কথা শুনিয়েই ভদৰী আকৌ অজ্ঞান হৈ পৰিল। এনেতে বৰ ডাক্তৰ আহি পালেহি। ডাক্তৰে কম্পাউণ্ডৰৰ মুখে ৰোগীৰ সকলো অৱস্থাৰ ভু পাই শিঙৰামক হাজোতৰপৰা আনি তাইৰ আগত নিদিলে তাইৰ সোনকালে আৰোগ্য হবৰ আশা নাই বুজি, তেতিয়াই তাৰ দিহা কৰিলে।

তৃতীয় আধ্যা

এইবাৰ জ্ঞান পাই ভদৰীয়ে চকু মেলিয়েই দেখিলে তাই পৰি থকা শয্যাৰ কাষত, দুটা বন্ধা পাগুৰীয়া কনিষ্টবলৰ মাজত শিঙৰাম থিয় হৈ আছে। কাষতে ডাক্তৰ চাহাব।

ভদৰী—(শিঙৰামৰ ফালে চাই) তোমাৰ গা কেনে আছে? আজি ভাত খালানে? তোমাৰ ভাত পানী খোৱাত মহা দুখ হৈছে চাগৈ?

উত্তৰস্বৰূপে শিঙৰামৰ দুচকুৰে দুধাৰ লো বৈ গ'ল।

ভদৰী—(ডাক্তৰলৈ চাই হাত যোৰ কৰি) দেউতা ঈশ্বৰ। ধৰ্ম্মৱতাৰ। এওঁৰ কোনো দোষ নাই, এওঁক এৰি দিয়ক। বেটী গোলাবীয়ে

চুলি ছিঙি কাতৰ কৰি মাতিছোঁ, মোৰ গিৰিয়ঁতক এৰি দিয়ক। মাচ ধৰিবলৈ যাওঁতে উজুটি খাই পাতি থোৱা মৈদাত পৰি বেটী গোলামীৰ গা কাটিছে।

ভদৰীৰ সকৰুণ কথা শুনি ডাক্তৰ, ডেৰেচী, কনিষ্টবল আদি সকলো অবাক। শিশুৰামেও আৰু থাকিব নোৱাৰি হোঁ হোঁ কৰে কান্দিবলৈ ধৰিলে, "নহয় হজুৰ! মইহে এইক মৈদাৰে কুৰিযালো, মোক হজুৰ ফাঁচি দিয়ক। ধৰ্ম্মৱতাৰ মই মহাপাপী; মই এনেজনী তিৰোতাৰ গাত অস্ত্ৰেৰে কোৰ মাৰিলো।"

সামৰণি

অলপ দিনৰ ভিতৰতে ভদৰী সম্পূৰ্ণৰূপে আৰোগ্য হ'ল। কিন্তু স্বামীক নিৰ্দ্দোষী কৰি আইনৰ সৰাহৰ পৰা ৰাখিবলৈ তাই প্ৰাণপণে চেষ্টা কৰাতও, তাৰ কঠিন পৰিশ্ৰমেৰে সৈতে তিনি মাহ ফাটকৰ হুকুম হ'ল। শিশুৰামে হাঁহি হাঁহি বৰ ফাটকৰ ভিতৰলৈ, আৰু ভদৰীয়ে কান্দি কান্দি শোক-ভৰা হৃদয় লৈ আপোন ঘৰৰ ভিতালৈ সোমাই, এই খিনিতে আমাৰ এই বেগেতীয়া সাধুটি শেষ কৰি দিলে।

শিৱপ্ৰসাদ

প্ৰথম আধ্যা

শিৱপ্ৰসাদৰ ঘৰ আনন্দপুৰত; বয়স ১৮ বছৰ। সি জাতত কহাঁৰ; সুস্থসবল আৰু সুশ্ৰী ডেকা। তাৰ মাক-বাপেক ককায়েক ভায়েক ভনীয়েক সকলো আছে; ঘৰত খাবলৈ ভাত, পিন্ধিবলৈ কাপোৰ আছে; কিন্তু মনত শান্তি নাই। আজি এবছৰ মানৰ পৰা তাৰ মানসিক অৱস্থা শোচনীয়। সি সঁচাসঁচিকৈয়ে ভাবে তাৰ সকলো আছে, অথচ সি ডালদৰিদ্ৰ। এবুকুৱা পানীত সি পৰি থাকিও তাৰ ডিঙি শুকান। তাৰ মন উদাস, হিয়া উদং, প্ৰাণ ধলিয়া। আমি কিন্তু তাৰ গাত দায় নিদিওঁ; দায় দিওঁ যৌৱন প্ৰভাতৰ উত্ৰাৱল বতাহৰ গাত। মোহনী ভাঙৰ চিলিমৰ এহোপা ধোঁৱাই যেনেকৈ জাতিলাও এটাৰ সমান আয়তনৰ মানুহৰ মূৰ এটাৰ ভিতৰত উনপঞ্চাশটা বায়ুৰ অৱতাৰণা কৰিবৰ পক্ষে যথেষ্ট, প্ৰথম যৌৱনৰ এচাতি চোকা বতাহেই তেনেকৈ ন ডেকা এজনৰ মূৰৰ ভিতৰত কলৈ যাওঁ, কি কৰো নামৰ খিধৰ বাতিক জন্মাবৰ পক্ষে যথেষ্ট। বঙালী কবিয়ে বান্ধি থৈছে :—

"জীবনে আজ কি প্ৰথম এল বসন্ত।
নবীন বাসনা ভৰে হৃদয় কেমন কৰে
নবীন জীবনে হল জীবন্ত।
সুখ-ভৰা এ ধৰায় মন বাহিৰিতে চায়,
কাহাৰে বসাতে চায় হৃদয়ে।
তাহাৰে খুঁজিব দিক-দিগন্ত।
যেমন দখিনে বায়ু ছুটেছে।
কে জানে কোথায় ফুল ফুটেছে!
তেমনি আমিও সখি যাব,
না জানি কোথায় দেখা পাব।
কাৰ সুধাস্বৰ মাঝে জগতেৰ গীত বাজে,
প্ৰভাত জাগিছে কাৰ নয়নে।
কাহাৰ প্ৰাণেৰ প্ৰাণ অনন্ত।
তাহাৰে খুজিব দিক দিগন্ত।"

এইদেখি আমি বপুৰা শিৱপ্ৰসাদৰ গাত জানি শুনিয়েই দোষৰ ছিটা পেলোৱা নাই। জীৱনৰ ভিতৰত, সাধু-মহন্ত, ৰজা-প্ৰজা, ধনী, খৰীভাৰী কোনেও, হাতত তাম-তুলসী-গঙ্গাজল লৈ কব নোৱাৰে যে তেওঁ এবাৰ এই প্ৰথম যৌৱন-ভাঙৰ চিলিমত হোপা মাৰি মন মুকলি কৰি নাই দিয়া বুলি। ৰজাৰ কোঁৱৰৰ গাত ওপৰত কোৱা প্ৰথম বসন্তৰ বতাহ লাগিলে মন্ত্ৰীৰ কোঁৱৰ, পাত্ৰৰ কোঁৱৰ আৰু বাৰীৰ কোঁৱৰক লগত লৈ তেওঁ দেশভ্ৰমণ কৰিবলৈ ওলায়; ভাল মানুহৰ ল'ৰাৰ গাত এই বতাহ লাগিলে তেওঁ ঘৰ এৰি যাত্ৰাওৱালাৰ লগত পলাই যায় বা খিয়েটাৰৰ দলত সোমায়, আৰু সৰু মানুহৰ ল'ৰাৰ গাত উল্লিখিত সৰ্ব্বনশীয়া বা লাগিলে সি বলিয়া বতিয়া হৈ কাছাৰীত গোচৰৰ লেখ বঢ়ায়। সৰহ নকওঁ, বাঘ চাল পিন্ধা গোবৰখুটিৰ ছাই-সনা মহা-যোগী মহাদেউৰ নামেও পুৰাণত "হৰমোহন" বুলি দণ্ডবিধি আইনমতে দণ্ডনীয় এটা গুৰুতৰ অভিযোগ আজিলৈকে ফটফটীয়া হৈ পৰি আছে। আমাৰ ন বৰুৱা শিৱপ্ৰসাদো এদিন ঘৰ এৰি আপোনাৰ সকলোকে শোক সাগৰত বুৰাই মনৰ মানুহ বিচাৰি "দখিনে বায়ু ছুটাদি" কৰবালৈ "ছুটিল"। পুৰুলিয়াত লচিমীয়াৰ ঘৰ। লচিমীয়া নৱযৌৱন-সম্পন্না শুভ্ৰদশনা শুভ্ৰবসনা কৃষ্ণাঙ্গী কোল সুন্দৰী। তাইৰ বাপেক মৰিল, মাক মাথোন আছে। মাক বুঢ়ী আৰু নিচেই হোজা; জীয়েকো হোজাবিষয়ত মাকৰ নিৰ্ভুল নকল। লচিমীয়াই হাটবাৰৰ দিনা লাওটো কচুটো হাটত বেচি যি উপাৰ্জ্জন কৰি আনে, তাৰেই মাক-জীয়েক দুয়ো পোহ যায়। আইয়ৰ্ণ চাহাব পুৰুলিয়াৰ প্ৰজাৰঞ্জক হাকিম। বিলাতৰপৰা তেওঁ আহিবৰ বহুত দিন হোৱা নাই; কিন্তু তেওঁ ইয়াৰ ভিতৰতে পুৰুলিয়াৰ মানুহৰ প্ৰিয়-পাত্ৰ হৈ পৰিছে। এদিন চাহাব হাট চাবলৈ গৈছিল। হাটতে লচিমীয়াই আলু কচু পোটাচেৰেক আগত লৈ পোহাৰ দি, বহি আছে। চুৰুকৰ কালে

লো টান খাই অহা দি লচিমীয়াৰ ফালে চাহাব বাহাদুৰ টান খাই আছিল।

চাহাব—"তোমাৰ ঘৰ কতে আছে?"

লচিমীয়া—"এই পুৰুলিয়াতে।"

চাহাব—"তুমি দেখিবলৈ ভাৰী স্থন্দৰী আছে।"

লচিমীয়া—"স্থন্দ্ৰীতো আছোঁ, থাকিলে কি হোবে চাহাব, হামাৰ জাতৰ মৰদলোকতো হামাকে স্থন্দ্ৰী নাহি দেখে।"

চাহাবে লচিমীৰ কথা শুনি হাঁহিবলৈ ধৰিলে। সঁচাকৈয়ে লচিমীয়াৰ মনত সদাই বেজাৰ যে তাইৰ আজিলৈকে বিয়া নহ'ল। কোলৰ ভিতৰত দুখীয়া ছোৱালীৰ বিয়া হোৱা বৰ মস্কিল। একো একো জনী আবিয়ৈ থাকিয়েই বুঢ়ী হৈ মৰি যায়। সিইঁতৰ বিয়াৰ বাটত নানা প্ৰতিবন্ধক।

দ্বিতীয় আধ্যা

শিৱপ্ৰসাদ অনাইবনাই ফুৰি এদিন পুৰুলিয়াৰ হাটত ওলালহি। হাটত হঠাৎ এবাৰ লচিমীয়াৰ সৈতে দেখা হ'ল। দেখাও হ'ল, ততালিকে দুয়ো দুয়োৰো চিটিকাতো লাগিল। নিমিষৰ ভিতৰতে শিৱপ্ৰসাদৰ মনত হ'ল, যে সি যি বস্তুকে আজি অত দিন অনাইবনাই আকুল-ব্যাকুল হৈ বিচাৰি ফুৰিছিল, এই কোল সুন্দৰীয়েই সেই বস্তুটো। এই সুন্দৰীৰ নয়নতে "প্ৰভাত জাগিছে," এই সুন্দৰীৰ সুধাস্বৰৰ মাজতে "জগতেৰ গীত বাজে"। ওপৰত-কোৱা বঙালী কবিৰ গান একাকি আকৌ এইখিনিতে শিৱপ্ৰসাদৰ হৈ গাই দিওঁ—

"আমাৰ পৰাণ যাহা চায়, তুমি তাই, তুমি তাই গো।
তোমা ছাড়া আৰ এ জগতে মোৰ, কেহ নাই কিছু নাই গো
তুমি সুখ যদি নাহি পাও, যাও, সুখেৰ সন্ধানে যাও,
আমি তোমাৰে পেয়েছি হৃদয় মাঝে আৰ কিছু নাহি চাই
গো।"

* *

পৰস্পৰ চকুৱাচকি হল, আৰু তাৰ লগে লগে পৰস্পৰৰ মন কিনা বেচাও হৈ গ'ল। আজিৰ হাট কৰি লচিমীয়াই যি বস্তু পালে, আনন্দত উৎফুল্ল হৈ হাঁহি হাঁহি সেই বস্তু লৈ গৈ মাকৰ হাতত গোধাই দিলে। মাকে জোঁৱাই পালে, জীয়েকে স্বামী পালে, আৰু আমাৰ শিৱপ্ৰসাদে দেশেবিদেশে বিচাৰি ফুৰা বস্তু পালে। তিনিওটাৰো মনত পৰম আনন্দ মিলিল। দুদিনৰ ভিতৰতে শিৱপ্ৰসাদ আৰু লচিমীয়া বিয়াৰ বান্ধত বহুকলীয়াকৈ বান্ধ খালে।

তৃতীয় আধ্যা

পৃথিৱীখন স্থমধিৰা টেঙাটোৰ নিচিনা ঘূৰণীয়া, আৰু দুমূৰে দুটা অলপ খোৰ। প্ৰথম দৃষ্টিত সেই খোৰ দুটা চকুত নপৰে। বিবাহিত জীৱনৰ পৃথিৱীখনো তেনেকুৱা। প্ৰথমতে সি বেছ ঘূৰণীয়া যেন লাগে, আৰু দুমূৰৰ খোৰ দুটাও চকুত নপৰে। কিন্তু প্ৰথম অনুৰাগৰ ৰাগী কমি গলেই বিৰাগৰ দীঘল হাৰি আৰু ছুটি ছুটি চেকুটিয়ে গা বাইজাই কৈ পেলায়। তেতিয়া সুখৰ পৃথিৱীৰ গাৰ হেজুল হাইতাল সোপা উটি গৈ ধানখেৰৰ জুমুঠি ওলাই পৰে।

তিনি মাহ যাওঁতে নেযাওঁতেই শিৱপ্ৰসাদৰ ৰাগি এৰিলে। সমাজিকৰ পৰা উঠি চেতন পোৱা মানুহৰ নিচিনাকৈ মনে মনে সি ভাবিবলৈ ধৰিলে—মোৰ আই ক'ত? বোপাই ক'ত? ভাই ক'ত? মোৰ জাত ক'ত? দেশ ক'ত? গাওঁ ক'ত? মনত বিষাদ, বিৰাগ, আৰু বিৰক্তি উৎপন্ন হ'ল। আৰু তাৰ ফলত সিফালে বেচেৰী নিৰ্দ্দোষী লচিমীয়াৰ মৰণদশা উপস্থিত হ'ল।

দিনে দিনে লাহে লাহে স্পষ্টকৈ দেখা গ'ল যে শিৱপ্ৰসাদে লচিমীয়াক আৰু ভাল নোপোৱা হৈ আছিল। স্বামীৰ অযত্ন আৰু কঠোৰ ব্যৱহাৰত দিনে দিনে এই কোমল লতাটি জয় পৰি আহিবলৈ ধৰিলে। লচিমীয়াৰ ফালে স্বামীৰ প্ৰতি কাকুতি-মিনতি কত অনুনয়-বিনয় কত ভক্তি স্নেহ চলিল, কিন্তু স্বামীৰ হৃদয় দৰ্পণত তাৰ অলপো প্ৰতিবিম্ব নপৰিল। হায়! স্বামীৰ সেই পুৰণি স্নেহ-সৰোবৰৰ পানী শুকাল। বিবাহিত জীৱন সুখৰ বোজা নহৈ এই অলপ কালৰ ভিতৰতে দুখৰ ভাৰ হৈ উঠিল। ঘৰত সুখ নেপাই শিৱপ্ৰসাদে কানি-ভাং আৰু মদৰ খোলাত সুখ বিচাৰিবলৈ আৰম্ভ কৰি অচিৰতে সেই তিনি বস্তুৰ নিষ্ঠাবান সেৱক হৈ পৰিল।

চতুৰ্থ আধ্যা

ভিখৰাজ—"শিৱপ্ৰসাদ ভাই, কি কৈছিলা। মই কানিৰ হোপা মাৰিছিলো কথাটো ভালকৈ মোৰ কাণত নপৰিল।"

শিৱপ্ৰসাদ—"ইয়াকে কৈছিলো, বোলো মোৰ তিৰোতাজনীৰ পৰা মহা মকিলত পৰিলো। গুড় এচেলেকা মোকো দিয়াচোন। আজি কম নাইনে কি?"

ভিখৰাজ—"নিয়া ভাই, এইয়া গুড়। কম নেপালো। কি মকিলত পৰিলা?"

শিৱপ্ৰসাদ—"তাই জটোপটোকৈ মোৰ ডিঙিত ধৰিছে, এৰাব নোৱাৰা হলো'।"

ভিখৰাজ—"কিয়নো এৰাব খুজিছা ?"

শিৱপ্ৰসাদ—"আই-বোপাই, ভাই-ককাই, গাওঁ-ভুঁই এৰি বিদেশত তিৰোতা এজনী টেটুত বান্ধি লৈনো কিমান থাকিবাহে ? শুব ফেৰা বৰ সেৱাদ ক'ত পাইছিলা ?"

ভিখৰাজ—"দেশলৈ নোযোৱা কিয় ?"

শিৱপ্ৰসাদ—"কোন জাতৰ তিৰোতাজনী দেশলৈ লৈ গৈ জাত-কুল হেৰুৱাই মৰিব দিছানে ? তুমিনো দিনে দিনে কিবা অঁকৰা হৈ আহিছানেকিহে ?"

ভিখৰাজ—"তেনেহলে কিনো কৰিব খুজিছা এতিয়া ?"

শিৱপ্ৰসাদ—"ভালকৈ কানি-টিকিৰা এটাত হোঁপা মাৰি দিব খুজিছোঁ।"

ভিখৰাজ—"যোৱা কিবা তুমি ধেমালি কৰিবলৈ লাগিলা।"

শিৱপ্ৰসাদ—"কৰিব খুজিছোঁ আৰু কি, এদিন ৰাতি ইয়াতে এৰি ভুকং কৰে পলাই গুচি যাম।"

ভিখৰাজ—"তোমাক ভাল বুধি দিওঁ শুনিবানে ?"

শিৱপ্ৰসাদ—"বুধিটো দিয়াৰ আগেয়ে আৰু এফেৰা মোক গুড় দিয়া।"

ভিখৰাজ—"হোঁৱা, নিয়া ভাই, এইয়া গুড়।"

শিৱপ্ৰসাদ—"কি বুধি দিবা কোৱা ?"

ভিখৰাজ—"তোমাৰ তিৰোতাজনী এৰিব খুজিছা যদি এনেই এৰিবা কিয়, গোটাচেৰেক টকাৰ উপায় নকৰা কিয় ?"

শিৱপ্ৰসাদ—"কি টকাৰ উপায় কৰিম ?"

ভিখৰাজ—"তোমাৰ মৈণীয়েৰাক আচান্সোললৈ লৈ বলা, মইও যাওঁ, তাত কুলিৰ ডিপো আছে। তাতে বেচি থৈ গোটাচেৰেক টকা লৈ ঘৰলৈ নোযোৱা কিয় ?"

শিৱপ্ৰসাদ—"কথাটো হওঁতে বেছ কৈছা, কিন্তু কিয় তাই আচান্সোললৈ যাব ?"

ভিখৰাজ—"কিয় নেযাব। তাৰ বুধি আছে। তুমি তাইক কোৱাগৈ যে, 'বল আমি দুয়ো আসামলৈ যাওঁহঁক, তাত আমাৰ দুইৰো ভাল চাকৰিৰ দিহা কৰিছোঁ। টকা-কড়ি যটি আমি তাত সুখেৰে থাকিব পাৰিম। ইয়াত দুখত থাকি কি কৰিমহঁক।' এই বুলি তাইক সন্মত কৰাই লৈ বলা, আচান্সোলৰ কুলিৰ ডিপোতে তাইক দি মোৰ হাতৰপৰা একুৰি টকা লৈ তুমি ঘৰলৈ গুচি যাবা।"

শিৱপ্ৰসাদ—"ভিখৰাজ ককাই, তোমাক এটা চুমাকে খাওঁ দিয়া। তোমাৰ বুধি নহলে কি হয় ? তুমি মোৰ পৰম বন্ধু।"

ভিখৰাজ—"পৰাপক্ষত আমি পৰৰ উপকাৰহে কৰোঁ, অনিষ্ট নকৰোঁ, লোকক সদাই ভাল বাটটোহে দেখুৱাব লাগে। পৰৰ অনিষ্ট কৰিনো সংসাৰত কেইদিন থাম লৰহে ? কি বোলা ?"

শিৱপ্ৰসাদে "হয়তো" বুলি ভিখৰাজৰ কথাটোত সম্পূৰ্ণ সহানুভূতি প্ৰকাশক এই বচনটো মাতি চিলিমত দীঘলকৈ হোঁপা মাৰি ভদক্ কৰে জুই তুলি দিলে।:—

"বম্ কলিকাতাৱালী, বচন নেযায় খালি, বম ভোলে, গাঞ্জা খোলে, সদা সুখে ৰহে, বম্ বম্, তলে গাঞ্জা উপৰে হাম।"

পঞ্চম আধ্যা

গিৰিয়েকে মৈণীয়েকৰ হতুৱাই কৰাব নোৱাৰে, এনে কাম খুব অলপহে আছে। সতী তিৰোতাৰ স্বামীৰ বাহিৰে আন গতি নাই। বুজাই-বৰাই শিৱপ্ৰসাদে মৈণীয়েকক আসামলৈ যাবলৈ সন্মত কৰালে। এদিন ৰাতি বুঢ়ী মাক শুই থাকোতে লচিমীয়াক লগত লৈ শিৱপ্ৰসাদ আৰু ভিখৰাজ আড়িকাটি ৰেলত উঠি প্ৰস্থান কৰিলে। গাড়ীয়ে লৰুৱাই লৈ গৈ তিনি চাৰি ঘণ্টাৰ ভিতৰতে বপুৰি লচিমীয়াক শঠ স্বামী আৰু বঞ্চক বন্ধুৰে সৈতে আচান্সোল পোৱাই দিলেগৈ। আচান্সোল পাই ভিখৰাজে শিৱপ্ৰসাদক অলপ আঁতৰকৈ মাতি নি কলে, "ভাই, তোমাক এটা কথা কওঁ দেই।"

শিৱপ্ৰসাদ—"কি কথা ?"

ভিখৰাজ—"ডিপোৰ চাহাবাক তোমাৰ মৈণীয়েৰাই আসামলৈ যাওঁ বুলি এখন গিৰমিট লেখি দিব লাগিব।"

শিৱপ্ৰসাদ—"দিব।"

ভিখৰাজ—"কিন্তু এটা কথা ; তোমাৰ মৈণীয়া দেখিছোঁ বৰ টেঙৰ তিৰোতা। তোমাকো গিৰমিট্ লেখি দিয়া নেদেখিলে, তোমাৰ কথাত তাই সন্দেহ কৰিব, আৰু গিৰমিট লেখি নিদিয়ে। সেই দেখি তাইক দেখুৱাই তুমিও এখন মিছামিছি গিৰমিট্ লেখি দিয়া। সেইখন পিচে ফালি পেলাম, আৰু

তুমি তোমাৰ কুৰি টকা ৰূপ লৈ ঘৰলৈ গুচি যাবা, কি বোলা ?"

শিৱপ্ৰসাদ—"দিম লেখি, তাত নো কি ? তোমাৰ কথা মই কেতিয়াও নেপেলাওঁ।"

ষষ্ঠ আধ্যা

শিৱপ্ৰসাদ—"ভিখৰাজ ককাই, গিৰিমিটতো লেখি দিয়া হ'ল ; এতিয়া মোক টকা কেইটা দিয়া ঘৰলৈ গুচি যাওঁগে।"

ভিখৰাজ—"কিহৰ টকা ?"

শিৱপ্ৰসাদ—"মোক দিব খোজা কুৰিটকা ৰূপ।"

ভিখৰাজ—(চকু ৰঙাকৈ) "তই মোক কেচুৱা ল'ৰা পাইছিলি হবলা ! বুঢ়াৰ হাতত চেঙেলি পৰিছ বুলি বুজকে পোৱা নাই। মৈণীয়েৰক বেচি টকা লৈ মোৰ হাতৰপৰা তই সাৰি যাবলৈ আহিছ !"

এই বুলি ভিখৰাজে ডিপোৰ ঘৰকন্দাজৰ হাতত শিৱপ্ৰসাদ আৰু লচিমীয়াক গটাই দি এগ্ৰিমেণ্ট দুখন লৈ ডিপোৰ চাহাবক দি টুপ্ কৰে নাইকিয়া হ'ল। শিৱপ্ৰসাদৰ মুখ চূণ-দিয়া জোকৰ মুখ যেন হ'ল। লচিমীয়াই তেতিয়াহে সকলো চক্ৰান্ত বুজিব পাৰি মূৰে কপালে হাত দি কান্দিবলৈ ধৰিলে।

"কোটাৰ ঘৰৰ কুটা, লোকলৈ বুলি হল পুতি, আপুনি মৰে কুটি।"

ৰতনমুণ্ডা

প্ৰথম আধ্যা

মাঘপৰৱলৈ (১) মাজতে তিন দিন আছে। কামিনী, জুনজুনী আৰু বুধুনীকে আদি কৰি লগৰীয়া ছোৱালী এটাইবোৰে নিজৰ নিজৰ অলঙ্কাৰ-পাতি উলিয়াই মেলি জাৰি-জোকাৰি ঠিক কৰিছে ; জুমুৰীয়ে সেই কামত হাত দিয়া নাই। নিদিয়াৰ কাৰণ আছে। তাইৰ ভৰিৰ অলঙ্কাৰ ক'ত ? লগৰ ছোৱালীয়ে নেপুৰ-পিন্ধা ভৰিৰে নাচিব, আৰু তাই কোনটো লাজেৰে শুদা ভৰিৰে সিহঁতৰ লগত নাচিবলৈ যাব ? "মহা ভাবনা" বুলি যে সংসাৰত এডোখৰ মহাৰুদ্ধিল পলবোকা আছে, হাতী পৰাদি জুমুৰী তাতে পৰি গ'ল। এই ভাবনাচিন্তাই জুমুৰীৰ ৰাতি টোপনি খেদিলে। "নেপুৰ এজোৰ কিনি দে" বুলি বাপেকক কবলৈকো, কোনখন মুখেৰে তাই সাহ কৰি সেই কথা কব ? তাইতো অবুজন ছোৱালী নহয়। চকুৰ আগতে সিদিনা তাই দেখিছিল, ৰজাৰ খাজনা ছমহা দিব নোৱাৰি টেকেলাৰ হাতত বাপেকৰ কি লঘু-লাঞ্ছনা ঘটিছিল। এনেস্থলত, বাপেকক টকাৰ নিমিত্তে আমনি কৰি কষ্ট্ৰ দিয়াটো জুমুৰীৰ পক্ষে সম্ভৱ নে ? দুখৰ কথা ভাবি জুমুৰী আমন-জিমনকৈ বহি আছে, এনেতে জুনজুনী সখীৰ হাঁহি-মুখে এটা কোল গীত ওঠত তুলি লৈ, ডাৱৰৰ মাজৰপৰা জোনে ভুমুকি মৰাদি, ভুমুকি মাৰিলেহি। গীতটো আমাৰ ভাষালৈ তাঙিলে এনেকুৱা হয় :—

> গছৰ চৰাই জোৰ ভুৰুঙাই উৰিল।
> ঘৰত নাই থাকিবৰ মন।
> মাঘৰ পৰৱ সখি নাচি আহিল ;
> মোৰনো লগৰীয়া কোন ?

অৱশ্যে গীতটোৰ সুৰটো কাকতত প্ৰকাশ কৰিবৰ উপায় নাই। সি সাৰঙ্গো নহয়, গৌৰীও নহয়, সুহাইও নহয়, ধনশ্ৰীও নহয়, যে ইয়াত লেখি দিওঁ, গায়ন পাঠকে ধৰি টানি নিয়ক। সি সাত ৰাগ ছত্ৰিশ ৰাগিণীৰ ধাপৰো খাজ কুলৰো বাজ। সি বনৰীয়া কোলৰ বনৰীয়া সুৰ। গীতটোৰ শেহৰ ফাকি এধাডুখৰীয়াকৈয়ে এৰি জুনজুনীয়ে মাত লগালে—"সখি কি হ'ল হে তোমাৰ ? আমন-জিমনকৈ বহি কি ভাবিব লাগিছা ?"

জুমুৰী—"কি ভাবিম দেওহে, এনেয়েহে আছো বহি।"

জুনজুনী—"বোৱাহে, এনেই মানুহে এনেকৈ বহি থাকে ? মোৰে শপত, কোৱা কি ভাবিছা ? হাঁহি আহিছিলো, কিন্তু তোমাৰ বেজাৰ মুখৰ তপত ভাপ লাগি মোৰ হাঁহিটো জয় পৰি গ'ল।"

জুমুৰী—"আৰু কি ভাবিম, ইয়াকে ভাবিছিলো, বোলো পৰ্ণ্তইলৈ মাঘপৰৱ ; মোৰ ভৰি উকা।"

জুনজুনী—"তোমাৰ ভৰি কিয় উকা হবলৈ দিম। বাপেৰাই কি কয় ?"

জুমুৰী—"বোপায়ে কি ক'ব, তেওঁ ক'ব পৰাইখা দিব ? মই তেওঁক কয়েইবা কিয় ? সিদিনা ৰজাৰ খাজনাৰ বাবে কি হৈছিল নেদেখিছিলা।"

জুনজুনী—"নেপুৰ এজোৰত কিমান বেচ লব ?"

জুমুৰী—"নোৱাৰো ক'ব দেওহে, মই কেতিয়াবা কিনিছোঁ জানো ?"

জুনজুনী—"মোৰ হাতত আঠোটা পইচা আছে ; ধৰি বেচি এটা এটাকৈ গোটাইছিলো। তাৰে যদি এজোৰ পায়, বলা সেই নেপুৰ বেচা দোকানলৈ যাওঁ।"

জুমুৰী—"এনে কথা কেলেই কোৱা দেওহে, তোমাৰ দুখৰ বিতৰেৰা ভাঙিবলৈ মোৰ কি হৈছে।"

জুনজুনী—"নই তোমাক ধাৰেহে দিছোঁ; কি হ'ল খৰচ কৰিলা। মানুহে ভালো ধাৰ নকৰে; ৰজাৰপৰা প্ৰজালৈকে সকলোৱে ধাৰ কৰে। বলা বলা।"

দ্বিতীয় আধ্যা

ৰতনমুণ্ডা ৰেঙামুণ্ডা কোনৰ পুতেক, ওঠৰ বছৰ বয়সীয়া; ব্যৱসায়ত কঁহাৰ; বাপেকৰ দোকানতে কঁহাৰৰ কাম কৰে। কাঁহৰ নেপুৰ খাৰু ইত্যাদি গঢ়ি কোলসুন্দৰীহঁতক হাত-ভৰি অলঙ্কৃত কৰি যি অলপ-অচৰপ উপাৰ্জন হয়, তাৰেই বাপ-পো উভয়ৰে সংসাৰ চলে।

বাপেক কিবা কামত কৰবালৈ গৈছিল; ৰতনমুণ্ডাই দোকানতে নিজৰ ক'লা শৰীৰটো, আলি-বাটত বগা চকুজোৰ, আৰু কৰবাত তাজী ধোঁৱা যেন মনটো খৈ বহি আছে, এনেতে জুমুৰী আৰু জুনজুনী হাতত ধৰাধৰিকৈ ওলালহি।

জুনজুনী-হেৰা ককাই, আমাক এজোৰ সস্তা চাই ভাল নেপুৰ দিযাছোন।

মুহূৰ্ত্তে ৰতনে জুমুৰীৰ আপাদমস্তক নিৰীক্ষণ কৰিলে; কৰি ৰ লাগিল। জুনজুনীৰ কথাষাৰ তাৰ কাণত পৰি, তেল-সনা গাত পানী পৰি পিচলি যোৱা দি পিচলি গ'ল।

জুনজুনী--অ', কিহে, একো নেমাতা দেখোন? আমাৰ সখীৰ ৰূপ দেখিয়েই ভোল গ'লা নে কি?

ৰতনমুণ্ডা—অ', কি কৈছা? কি লাগে? বোপাইৰ কথা সুধিছা? তেওঁ কিবা কামত এতিয়াই ওলাই গৈছে।

তাৰ কথা শুনি দুয়োজনী ছোৱালীয়ে খিল খিল কৰে হাঁহিবলৈ ধৰিলে। ৰতন মহা অপ্ৰস্তুত। বেচেৰাৰ এলাহু-কলীয়া মুখ যথাসাধ্য ৰঙা হৈ উঠিল।

জুনজুনী--বোলো, ককাই খবৰ কি? তোমাৰ গা ভাল? এওঁৰ ভৰিৰ সস্তা চাই এজোৰ নেপুৰ দিয়া।

ৰতনে লৰালৰিকৈ উঠি জুমুৰীৰ ভৰিৰ জোখ লৈ এজোৰ ভাল চাই নেপুৰ উলিয়াই আনিলে।

জুনজুনী—ইয়াৰ বেচ কিমান?

ৰতন—বাৰ অনা।

বেচৰ কথা শুনি জুমুৰীয়ে "বলা সখি যাওঁ" বুলি গিৰিষ কৰে উঠিল। "ৰহাঁ ৰহাঁ, ইমানলো লৰালৰি লগাইছা কেলৈ?" বুলি জুনজুনীয়ে জুমুৰীৰ শাৰীখনত অলপকৈ আজুৰি ধৰি তাইক বহুৱাই ৰতনৰ মুখলৈ চাই কলে, "ইমান বেচৰ নেলাগে; সস্তা চাই এজোৰ দিব নোৱাৰানে হে? তোমাক কৈ দিওঁ, আমাৰ হাতত মঠেই দুঅনা পইচাহে সম্বল।"

এইবাৰ দেৰটকা বেচৰ এজোৰ বঢ়িয়া নেপুৰ ৰতনে উলিয়াই আনি কলে "এইজোৰ দুঅনাত পাবা।" এই বুলিয়েই টপৰ্ কৰে বহি জুমুৰীৰ ভৰিত গি নেপুৰ পিন্ধাবলৈ লাগি গ'ল।

কোন ছোৱালীৰ নেপুৰ পিন্ধা এক ভয়ানক ব্যাপাৰ। নেপুৰ পিন্ধোতে একোজনীৰ ভৰিত ঘা লাগি তেজ ওলাই যায়; আৰু কান্দোন কাটোন চিঞৰ-বাখৰ লাগি পৰে। কিন্তু পিন্ধা হৈ গলেই সেই কান্দোনৰ ৰতাহ ৰৰষুণ উৰি গৈ সিহঁতৰ মুখত হাঁহিৰ নিৰ্ম্মল আকাশে দেখা দিয়ে। ৰতনে যিমান পাৰে আলফুলকৈ নেপুৰজোৰ জুমুৰীৰ ভৰিত পিন্ধাবলৈ চেষ্টা কৰিছিল; তথাপি যন্ত্ৰণাত তাইৰ চকুৰ লো ওলাবলৈ ধৰিলে। সি যিহওক, অলপ বেলিৰ ভিতৰতে জুমুৰীৰ ভৰিৰে, নেপুৰেৰে, কান্দোনেৰে, হাঁহিৰে বিপৰীত সম্মিলনী হ'ল।

তৃতীয় আধ্যা

অতি হেপাহৰ মাঘপৰৱ আহিল। কোল ডেকা-ডেকেৰীৰ অন্তৰে বাহিৰে আনন্দৰ ঢোল বাজি উঠিল। মুকলি পথাৰৰ মুকলি ৰতাহ মুকলিমূৰীয়া কোল ডেকাডেকেৰীৰ নাচোন-বাগোন গীতবাদ্যত খলক লাগিল। সকলোৱে বছেৰেকীয়া দুখ-ভাগৰ এলাহ-অনুৎসাহ খিয়লা-খিযলি দন্দ-খৰিয়াল পুৰণি বছৰেৰে সৈতে বিদায় দি গা-মন পাতলাই লৈ ৰঙত উৰাও মাৰিলে। কিন্তু ৰখাচোন চাওঁ; হাতে-খাৰুৰে লগ লগাদি লগ লাগি ডেও দি দি সৌ দুটি কোন নাচি ফুৰিছে? আমাৰ চিনাকী জুমুৰী আৰু ৰতন নেকি? হয়, থমকি থমকি দুয়ো দুয়োৰো মুখলৈ চাই ফুচু ফুচু কৰে কিবা কথ লাগিছে। কি কৈছে? কোনে জানে কি কৈছে; কপৌৱে কপৌৱনীৰ মুখলৈ চাই কি কয়, ভাটৌৱে ভাটৌৱনীৰ কাণত কি ফুচফুচায় কোনে জানে? মূৰণীয়া পৃথিৱীত আমিও নাচি ঘূৰি গৈ থাকো আহা, বাটতে উজুটি খাই ৰবৰ আমাৰ সকাম কি?

চতুৰ্থ আধ্যা

কোন নৰ-নাৰীৰ প্ৰেম-সমুদ্ৰত কতেকীয়া ঢৌ তুলি আৰু পৰৰৰ বুৰুহা পাহুৰেকলৈ উঠি গ'ল। কিন্তু

এই ধুমুহাৰ চাটিচোৱে এই খন্তেকৰ ভিতৰতে কেইখন প্ৰেম-মাৰ-নাও ভাঙি গুটীয়া কৰিলে, কেইখন গুটীয়া নাও লগ লগাই মাৰ বান্ধিলে, কিমান বুৰালে, কিমান ফালিলে, কত আঁতৰি থকা আৰু ভঙা বুকু জোৰা লগালে, কত জোৰা লগা বুকু ভাঙিলে আৰু আতৰালে কোনে ক'ব পাৰে? আনৰ কথা আমাক নেলাগে, ৰতনমুণ্ডা আৰু জুমুৰীৰ আতৰি থকা হৃদয় দুখন প্ৰেম সুৰগাৰে জালি একেবাৰেই নিবহ নিপানীকৈ জোৰাই যে সি একেখন কৰি দি গ'ল, আন নহলেও, এই বাবেই আমি মাঘপৰবৰ ওচৰত ধৰুৱা।

ৰতনমুণ্ডাৰ প্ৰাৰ্থনা মতে বাপেক বেঙ্গামুণ্ডাই এদিন ভাল দিনবাৰ চাই পুতেকৰ বিয়াৰ প্ৰস্তাৱ কৰি জুমুৰীৰ বাপেকৰ ঘৰলৈ মানুহ পঠিয়াই দিলে। ছোৱালীৰ বাপেকে প্ৰস্তাৱত সন্মতি প্ৰকাশ কৰাত "পানৰ" দিন ঠিক হ'ল; অৰ্থাৎ দৰাৰ বাপেক ছোৱালীৰ বাপেকৰ ঘৰলৈ গৈ তাৰে সৈতে মেল কৰি ঠিক কৰিবৰ দিন আহিল, যে ছোৱালী বিয়া দিয়াৰ বাবে ছোৱালীৰ বাপেকে দৰাৰ বাপেকৰ পৰা কিমান ধন-বস্ত্ৰ লব। পোন বাটে কবলৈ গলে, অৰ্থাৎ ছোৱালীজনী সি কিমান দৰত বেচিব।

ছোৱালীৰ বাপেকে এহাল বলধ গৰু, এজনী গাই, আৰু সাত টকা ৰূপৰ "দাওৱা" বা দৰ কৰি বহিল; দৰাৰ বাপেকে ইমান খিনি দিব নোৱাৰোঁ বুলি অস্বীকাৰ কৰি উঠিল। দুয়োৰো বান্ধ দুয়ো আটি ধৰাত মাজতে বিয়াৰ বান্ধটো ভটৰ্ কৰি ছিগি থাকিল, আৰু ৰতন-জুমুৰী নিৰাশা সাগৰ ৰ তলিত উফৰি পৰিল। দুই নুভীয়া আৰু কিপিণ মহৰ যুঁজত মাজতে নিৰ্দ্দোষী খিৰিণাৰ মৰণ মিলিল।

পঞ্চম আধ্যা

পৰ্ব্বতৰ পৰা নৈ কোৰেৰে বৈ আহিছে, ভেটা দি ৰাখে কাৰ সাধ্য। এপিনে ভেটা দিলে সি আনপিনে দুগুণ কোৰেৰে ভাঙিছিঙি বৈ আহি তাৰ হোৰ তুলিব। এদিন ৰতন-জুমুৰী অদৃশ্য হ'ল। কোনেও সিহঁতক বিচাৰি নেপালে।

ঘৰৰপৰা পলাই আহোঁতে ৰতনৰ হাতত সম্বল ধেনু-কাঁড়, জুমুৰীৰ ভৰিত সম্বল সেই নেপুৰ, আৰু দুইৰো উমৈহতীয়া সম্বল দ প্ৰেম।

* *

জুমুৰী—এই শিলটোৰ ওপৰতে অলপ বহি জিৰাওঁ আহা, গোটেইটো দিন খোজ কাঢ়ি কাঢ়ি মোৰ আৰু ভৰি নচলা হৈছেহি।

ৰতন—মোৰ ইয়াত বহিবলৈ ভয় লাগে; যদি কেনেবাকৈ সিহঁতে আমাক বিচাৰি আহি পায়হি। সৌ যে বিপিকি বিপিকি দেখা গৈছে পৰ্ব্বতটো, সেইটো নেপাওঁগৈ মানে আমি নিৰাপদ নহওঁ। আহা মোৰ বোকোছাত উঠাহি, মই লৈ গৈ থাকোঁ।

ৰতনে জুমুৰীক বোকোছাত তুলি লৈ গৈ পধূলি এটা পৰ্ব্বতৰ গুহা পাই তাতে আশ্ৰয় ললেগৈ। গুহাৰ কাষেদি এটি সৰু পৰ্ব্বতীয়া জুৰি কুল্ কুল্ শব্দ কৰি কৰবালৈ বৈ গৈছে। চাৰিওফালে বনৰীয়া জন্তুৰে পৰিপূৰ্ণ অগাধ অৰণ্য।

ৰাতি পুৱাল। নিশাচৰ জন্তু নিশাৰে সৈতে পলাল, দিবাচৰ জন্তু দিনৰে সৈতে ওলাল। ৰতনে ধেনু-কাঁড় লৈ নবালবিকৈ এটা বনৰীয়া গাহৰি মাৰি আনি জুৰিৰ পাৰতে এধাপোৰা কৰিলে। তাৰেই দুয়োৰো আহাৰৰ কাৰ্য্য সমাপিত হ'ল। আবেলি ৰতনমুণ্ডাই গা ধুবলৈ জুৰিত নামিল। জুমুৰী পাৰতে। ৰতনে পানীত বুৰ মাৰিলে। কিন্তু সেই বুৰ অনন্ত বুৰত পৰিণত হ'ল। ৰতন আৰু নোলাল।

গোটেইটো দিন জুমুৰীয়ে জুৰিৰ পাৰতে বহি বাট চাই কটালে, কিন্তু ৰতন আৰু নোলাল। ৰাতি হ'ল। ৰতনক হাতুতে হেৰুৱাই কান্দিকাটি তাই সেই গুহাতে পূৰ্ব্বৰতে সোমাই নিদ্ৰাৰ হাতত আত্মসমৰ্পণ কৰিলে।

আকৌ ৰাতি পুৱাল, আকৌ জুৰিৰ পাৰতে জুমুৰী বহি ৰতনক মাত দি কান্দি কাল কটালে, কিন্তু ৰতন নোলাল। ৰতনৰ ধেনু-কাঁড় লৈ, ওচৰৰপৰা জন্তু এটা মাৰি আনি পুৰি, দুভাগ কৰি, নিজে এভাগ খাই আৰু ৰতনলৈ এভাগ থৈ জুমুৰী বাট চাই আছে, হায়! তাইৰ ৰতন-মণি আৰু নাই।

এইৰূপে সাদিন গ'ল। ৰতন পানীৰ পৰা ওলাব এই মিছা আশাৰ সুতাত ওলমি, দিনত জুৰিৰ পাৰত বহি আৰু ৰাতি হলে গুহাতে শুই জুমুৰীয়ে দিন কটাবলৈ ধৰিলে। এই নিঃসহায়, নিৰুপায়, অলপবয়সীয়া, সৰল কোল ছোৱালীজনীৰ শোকৰ অৱস্থা বৰ্ণাব নোৱাৰি।

ষষ্ঠ আধ্যা

এদিন বনাইৰ ৰজা* ছাহেবাচাৰ ডিপুটী কমিশ্যনৰে সৈতে হাতীৰে মৃগয়া কৰিবলৈ গৈছিল। হাবিত পহু বিচাৰি ফুৰোঁতে হঠাৎ এবাৰ বহুত দূৰৰ পৰা কান্দোনৰ এটা ধ্বনি আহি চেঁউবিলাকৰ কাণত পৰিল।

---

* বনাই—ছোটনাগপুৰৰ তলৰ এখন কৰতলীয়া ৰাজ্য।

ডি, কমিশ্যনৰ--"ওৱেল মহাৰাজ, সেইটো কিহে কান্দিছে শুনিছে ?"

ৰজা—"সেইটো হুজুৰ, দেও অৰ্থাৎ ভূতে কান্দিছে।"

ডি, কমিশ্যনৰ—"নাহি নাহি কি ভূতে কান্দিছে, ভূত নাহি হ্যায়। সেইটো আদমি কান্দিছে।"

ৰজা—"নহয় হুজুৰ, এই জঙ্গলত বহুত ভূত আছে।"

ডি, কমিশ্যনৰ—"ওৱেল মাহুত, যো তৰফ মাতিছে, ওহি তৰফ চলাও।"

ৰজা—"হুজুৰ সেই তৰফ যাব নেলাগে ; গলে সেই ভূতে হামিলোকক মাৰি ফেলাবে।"

কমিশ্যনৰ—"মহাৰাজ, তুমি ভয় নাহি কৰিবে, ভূত নাহি হ্যায়।"

হাতী হাবি ভাঙি এখোজ দোখোজকৈ সেই ফালে যাবলৈ ধৰিলে। ৰজা বাহাদুৰেও একো নেমাতি অদৃষ্টৰ আৰু হাতীৰ হাতত আপোন ৰাজ-দেহটো সমৰ্পণ কৰি, মনে মনে ইষ্টদেৱতাক সুমৰিবলৈ লাগিল।

কমিশ্যনৰ—"মহাৰাজ, তুমি এতনা কঁপিছে কেলৈ ? ভয় কৰিছে ? মোৰ গাত নাহি ধৰিবে, হাতীকা হাওদামে ধৰিবে।"

ৰজা—"না-নাহি হুজুৰ হামি ভয় কৰা না-নাই।"

অলপ সময়ৰ ভিতৰতে সিখিলাক সেই কান্দোনৰ ঠাইত উপস্থিত হ'ল। দেখিলে, এজনী কোল ছোৱালীয়ে পানীৰ ফালে চাই, এটা জুৰিৰ পাৰতে শিল এডোখৰৰ ওপৰত বহি, আগতে পোৱামংহ ডোখৰচেৰেক লৈ বিনাই কান্দিব লাগিছে। নকলেও হ'ব যে, এই ছোৱালীজনীয়েই আমাৰ ৰতনমুণ্ডাৰ জুনুৰী।

ডিপুটী কমিশ্যনৰে লাহে লাহে জুনুৰীৰ মুখৰপৰা, আগৰপৰা গুৰিলৈকে গোটেই বৃত্তান্ত উলিয়াই লৈ, তাইক বুজাই-বৰাই আপোন হাতীত তুলি লৈ আহি, নিজে তাইৰ গাঁৱলৈ গৈ তাইক বাপেক মাকক শোধাই দিলে। কিন্তু কি দুখৰ কথা, বাপেক মাকে তাইক নিজৰ ছোৱালী বুলি সাৱটি লওক ছাৰি, ভূত বুলি টাঙোন লৈ মাৰিবলৈ উঠিল। সিহঁতে বোলে "হুজুৰ, আমাৰ ছোৱালী আজি সাদিন হ'ল এটা ডেকা ল'ৰাৰে সৈতে পলাই কৰবালৈ গ'ল। এই জনী নৈৰ পাৰৰ যক্ষিনী, আমাৰ ছোৱালীৰ ৰূপ ধৰি চলিবলৈ আহিছে!" কমিশ্যনৰে অনেক বুজাইও সিহঁতৰ মনৰ ভ্ৰম গুচাব নোৱাৰি, আৰু বনাইৰ ৰজাইও সিহঁতৰ মততে মত দিয়া দেখি, তাইৰ বিপদৰ আশঙ্কা কৰি, তাইক লগত লৈ আহি, ছাইবাচাৰ খ্ৰীষ্টান মিশ্যনেৰীৰ খ'ডিওত থৈ দিলে।

পৰিশিষ্ট

(১) মাঘ-পৰব কোলৰ এক মহোৎসৱ। বছেৰেকত কোলৰ সাতোটা পৰব বা উৎসৱ ; তাৰ ভিতৰত মাঘ-পৰবেই যাই। বঙ্গালীৰ ভিতৰত দুৰ্গোৎসৱ যেনেকুৱা, অসমীয়াৰ ভিতৰত বহাগৰ বিহু যেনেকুৱা, কোলৰ ভিতৰত মাঘপৰব তেনেকুৱা। কোলৰ সকলো পৰবৰ প্ৰধান আৱশ্যকীয় বস্তু হৈছে "হাড়ীয়া" মদ। ভাত বান্ধি তাক বাহি কৰি থৈ গেলাই এই মদ প্ৰস্তুত কৰা হয়। এই মদ কৰিব পৰা বিদ্যাটো কোল কামিনীহঁতৰ এটা প্ৰধান আৰু শ্যকীয় গুণৰ ভিতৰত। এই মদ কৰাত নিপুণতা দেখুৱাব পাৰিলে কোল ছোৱালীয়ে কাজী নাম পায়।

মাঘপৰৱ মাঘ মহীয়া হয়। মাঘত কোলৰ ভঁড়াল ধানেৰে পূৰ, আৰু মন আমোদেৰে পূৰ হয়। সিহঁতৰ ধাৰণা, মাঘ মাহত মানুহৰ মন কুপ্ৰবৃত্তিত ইমান উপচি পৰে যে তাক চৰিতাৰ্থ কৰি ক্ষয় নকৰিলে নহয়। এই পৰৱ তিনি দিন হয়। এই তিনি দিনত চাকৰে গৰাকীৰ প্ৰতি কৰ্ত্তব্য, ল'ৰা ছোৱালীয়ে মাক-বাপেকৰ প্ৰতি কৰ্ত্তব্য, মুনিহ মানুহে তিৰোতা মানুহৰ প্ৰতি সন্মান, তিৰোতাই স্ত্ৰীসুলভ নম্ৰতা, গাম্ভীৰ্য্য আৰু লাজ সমূলি পাহৰে।

পৰৱৰ আৰম্ভতে কুকুৰা কাটি সিহঁতৰ দেৱতাৰ আগত বলি দিয়া হয়। পলাশ ফুল আৰু পিঠাৰ নৈবেদ্যৰে সৈতে এই বলি দি পুৰোহিত বা পুৰোহিতৰ অভাৱত গাঁৱৰ প্ৰধান মান্যৱন্ত জ্ঞানী বয়সীয়া কোলে প্ৰাৰ্থনা কৰে অহা বছৰলৈ যেন ল'ৰা-ছোৱালীৰে সৈতে সিহঁত নিৰাপদ হয় ; আৰু যেন ৰতৰত বৰষুণ আৰু শস্য হয়।

এনেকৈ, কোলবিলাক শান্ত আৰু গম্ভীৰ প্ৰকৃতিৰ মানুহ। তিৰোতা মানুহৰ প্ৰতি সিহঁতে সদায় শিষ্ট আৰু কোমল ব্যৱহাৰ কৰে। কোল তিৰোতাবিলাক বঢ়ীয়াল আৰু বুকলিমুৰীয়া। সিহঁতৰ গাত হিতাহিত আৰু কৰ্ত্তব্য-অকৰ্ত্তব্য বিবেচনা কৰিব পৰা এটা জ্ঞান সদায় থাকে। আন দেশী সকু মানুহৰ তিৰোতাবিলাকৰ মুখত যেনে অশ্লীল গালি বা মাত-কথা শুনিবলৈ পোৱা যায়, কোলনীবিলাকৰ মুখত তেনে মাত-কথা শুনিবলৈ পোৱা নেযায়। ইহঁতে পৰৱ টান মাত অলপো সহিব

নোৱাৰে আৰু লোককো তেনে মাত নিদিয়ে। কিন্তু মায়পৰ্ব্বতত ইহঁতৰ ওপৰত কোৱা গুণ আৰু আচৰণ বিলাক সমূলি লোপ পায়। এই পৰ্ব্বৰ কালত পুতেক-জীয়েকে মাক-বাপেকক আৰু মাক-বাপেকে পো-জীক অশ্লীল কথাৰে গালি পাৰি আনন্দ অনুভৱ কৰে। ডেকা-ডেকেৰীয়ে কুপ্ৰবৃত্তিৰ বশবৰ্ত্তী হৈ একে বাৰেই পশুৰ নিচিনা ব্যৱহাৰ কৰে; আৰু বাপেক মাকে নিজে নিজ কন্যাক যৎপৰোনাস্তি স্বাধীনতা দিয়ে। ডেকা ডেকেৰীৰ ভিতৰত খুব নাচ হয়।

(২) পৰ্ব্বতীয়া নদীত গা ধুবলৈ গৈ মাজে মাজে মানুহ অদৃশ্য হৈ কলৈ যায় কোনেও কব নোৱাৰে; শৰটো পৰ্য্যন্ত পোৱা নেযায়। প্ৰবাদ আছে, নদীত ভয়ানক অজগৰ সাপ আছে; সেই সাপে মানুহ, গৰু প্ৰভৃতি জন্তুবোৰ পানীত নামিলে ধৰি গিলি থয়। প্ৰকৃত পক্ষে এনে নহয়; এই বিলাক পৰ্ব্বতীয়া নদীৰ ঠায়ে ঠায়ে তললৈ পানী টানি নিয়া গাতৰ দৰে আছে। তাত যি বস্তুৱেই পৰে তৎক্ষণাৎ তাক তললৈ সোঁতে টানি লৈ যায়।

ভেমপুৰীয়া মৌজাদাৰ

এওঁকে বোলে। এওঁৰ ঘাই নাম ডাঙৰীয়া শ্ৰীযুত লম্বোদৰ শৰ্ম্মা বৰুৱা। এই ধানপুৰীয়া কঠাল যেন নামটো ওপৰত উল্লেখ কৰা উপলুঙা নামৰ ডাঠ পাতৰ তলত সদায় ঢাক খাই থাকে, কাৰো সততাই চকুত নপৰে। ডাঙৰীয়াৰ ঘৰ উজনিত; আৰু সেই কালনে ভেমপুৰ মৌজাৰ মৌজাদাৰ। বৰ ডাঙৰ লোক। মূৰ ডাঙৰ, কাণ ডাঙৰ, হাত ডাঙৰ, ভৰি ডাঙৰ আৰু সকলোতকৈ পেট ডাঙৰ। বোধকৰোঁ ডাঙৰীয়াৰ এনে ভৱিষ্যত ভাবিহে তেওঁৰ দীৰ্ঘদৰ্শী পিতৃদেৱতাই তেওঁৰ নাম লম্বোদৰ ৰাখি থৈছিল। কিন্তু দেউতাকে নামটো যতে ৰাখিলে ততে থাকিল; ডাল-পাত পুলি-পোখা মেলি সি আৰু বাঢ়িব নেজানিলে। তেওঁক ভেমপুৰীয়া বুলিলেহে সকলোৱে চিনে। চলিত গল্প আছে, এদিন হেনো ডাঙৰীয়াই ৰাতি কৰবাৰ পৰা ফুৰি আহি বাহিৰৰ পৰা ডাঙৰীয়ানীক ঘৰৰ দুৱাৰ মেলি দিবলৈ কলত, ডাঙৰীয়ানীয়ে কোন বুলি সোধাত "মই লম্বোদৰ" বুলি উত্তৰ দিলে। উত্তৰ শুনি ডাঙৰীয়ানীয়ে "চোৰ ওঁ" "চোৰ ওঁ" বুলি চিঞৰ লগাই দিছিল। পাছে লৰালৰিকৈ লম্বোদৰ গুছি ভেমপুৰীয়া হলতহে জানিবা সেই যাত্ৰাত ডাঙৰীয়াৰ মান ৰ'ল।

অলপ আগৰে পৰা ধৰি আমাৰ ডাঙৰীয়াৰ ইতিহাসটোৰ সংক্ষেপ আভাস দিওঁ। সুপ্ৰসিদ্ধ অধ্যাপক উৰ্ব্বীধৰ শিৱসাগৰীয়া বৰুৱাৰ পঢ়াশালিত বছৰ-ছেৰেক লৰোঁ নামেৰেই তেওঁ শবদ সাধি বিদ্যাৰম্ভ হৈ কাছাৰীত লম্বোদৰ শৰ্ম্মা বৰুৱা নামেৰে মহাপেচ কামত সোমাল। মহাপেচ খানাত কাকত পেচ, বাহিৰত কথা পেচ আৰু মুখৰ ভিতৰত বুঢ়াতামোল কোমল তামোল পেচ কৰি থাকোতেই, দুই এবছৰৰ ভিতৰতে তেওঁৰ নামেৰে পেটৰে দন্দ লাগিল। অৰ্থাৎ পেটটো দেখিলেই তেওঁৰ নামটোলৈ আৰু নামটো শুনিলেই তেওঁৰ পেটটোলৈ সকলোৰে মনত পৰা হ'ল। তৰাং পানীত পিট্টীয়া মাছৰ পিঠি ওলাই পৰাদি সোনকালে কাছাৰী ঘৰত ডাঙৰীয়াৰ পিঠি ওলাই পৰিল। বৰচাহাবৰ বৰ চকু ডাঙৰীয়াৰ ওপৰত পৰিল; আৰু তাৰ ফলস্বৰূপে তেওঁ মহাপেচখানাৰ পৰা ওলাই ভেমপুৰীয়া মৌজাদাৰৰ বিষয়খন পালে। কি "গেৰ গেৰি" (Gregory) কি "ফিলিপ্" (Phillip), কি "কম্বল" (Campbell), কি "লেমটেম" (Lamb) চাহাব, ডাঙৰীয়াই এদিন বা দুদিন তেওঁক লগ পালেই হ'ল, টিপুৰ কৰে ডাঙৰীয়াই হজুৰৰ বৰ খাটনীয়াৰ হৈ পৰিল। আমি কওঁ, ডাঙৰীয়াৰ ৰাশিটো কিছু বলী; জহৰমহৰ ডোখৰৰ আগত ফেটী সাপৰ ফেটটো যেনেকৈ দোঁ খায়, আমাৰ ডাঙৰীয়াৰ আগতো ওপৰত কোৱা চাহাবসকলৰ হেটটো বা ফেটটো তেনেকৈ দোঁ খাই পৰে। কিন্তু নিন্দকবিলাকে ইয়াৰ ব্যাখ্যা বেলেগ প্ৰকাৰে কৰে। সিহঁতে কয়, ডাঙৰীয়াৰ প্ৰাতঃসন্ধ্যা একাদশী-আউসীত খতি হলেও, পুৱা গধূলি বৰচাহাবক চালাম খতি নহয়। এদিন হেনো বৰচাহাব পুৱা ফুৰি আহি চাকৰক বুটজোতা সোলোকাই দিবলৈ কওঁতে আমাৰ ডাঙৰীয়া আগতে আছিল; চাহাবৰ চাকৰ আহি পাওঁতে নোপাওঁতেই ডাঙৰীয়াই টপৰাই বহি বুট সোলোকাই দিলে। চাহাবৰ চাকৰবিলাকৰ মুখ তলি ফুটা নে কি কব নোৱাৰি, ফুটা মাটিকলহৰ পৰা পানী বোৱাদি সিহঁতৰ মুখৰপৰা এই কথাটোও বৈ ওলাই পৰিবলৈ বৰ পলম নেলাগিল। সি যি হওক, এদিনৰ এই ক্ষুদ্ৰ ঘটনা এটাৰ পৰা লম্বোদৰ শৰ্ম্মা বৰুৱা ভেমপুৰীয়া মৌজাদাৰ ডাঙৰীয়াৰ গাৰপৰা সাত পুৰুষীয়া মানৰ গোবৰ-মাটিৰ লেওটা খহি পৰাটো সম্ভৱ নহয়। ডাঙৰীয়া পাষণ্ড-গজা লোক নহয়। শাস্ত্ৰত কৈছে, মৃগ মীন আৰু সাধুলোক সকলৰ, ব্যাধ মাছমৰীয়া আৰু খল বিলাক নিকাৰণ বৈৰী। এতিয়াও এই মৃগপন্থ ডাঙৰীয়াৰ, বিনাকাৰণতে হোৱা, বৈৰীৰ আটক নাই। হৰিণাৰ মাংসই বৈৰী, আমাৰ ডাঙৰীয়াৰো ঘৰপেটটোৱেই যে বৈৰী ই কথা ঠিক। ঘৰপেটটো দেখি নিন্দক সকলোৰে খিয়াল লাগে। কিন্তু খিয়াল লাগিলে কি হব, ডাঙৰীয়াই কিবা তেওঁৰ নেচেৰা ঘৰপেট

ডোখৰক তামোল পাণৰ শৰাই দি মাতি আনিছিলগৈ নে কি? সি পূৰ্ব্বজন্মৰ পুণ্যৰ ফলত হোৱা বস্তু।

ডাঙৰীয়াৰ মৌজাতো ঘৰ আছে, নগৰতো ঘৰ আছে। ডাঙৰীয়াৰ মৌজালৈ গলে মৌজাৰ মাটি তলৰ পৰা ওপৰ হয়, নগৰলৈ আহিলে নগৰৰ মাটিৰো সেই দশা হয়। অন্ততঃ তেনে হয় বুলি ডাঙৰীয়াই নিজে ভাবে। বৰচাহাব মফস্বললৈ গলে মৌজাদাৰ ডাঙৰীয়াৰ কপাল ফুলে বুলি শুনা যায়। একেবাৰেই হেনো এবছৰলৈ ডাঙৰীয়াৰ নিজ খোৱাকৰ দুখ গুচে। ৰাইজৰপৰা বিনামূলীয়াকৈ আদায় কৰা 'ৰচত' বৰচাহাবলৈ যদি এগুণ যায়, ডাঙৰীয়াৰ ভড়ালত হাতৰ-পাচ তাৰ ৯ গুণ বৈ যায়। কুলি ধৰাতো ডাঙৰীয়া হেনো কালান্তক যম। এই অমৃতক্ষণ পৰিলে হেনো ডাঙৰীয়াৰ "আখেজ"ৰ ডাঙৰ খালবিলাকত ধুমাধুমিকৈ মাটি পৰি পোট খাই যায়। ভদায়ে দিনটোত পাঁচোটা দণ্ডৱৎ কৰি পাঁচবাৰ ডাঙৰীয়াক 'দেউতাঈশ্বৰ' নুবুলিলে, "ধাৰু দেখা যাব।" কদায়ে তাৰ বাৰীৰ্ত হোৱা সোন্দা কল খোকা ডাঙৰীয়ালৈ পঠিয়াই নিদি, তাৰে ৰবগৰাহ কৰিলে, "ৰাৰু তই থাক, তই কেনে কদাই ওলাইছ দেখিম।" ঘিণায়ে ডাঙৰীয়াৰ জীয়েকৰ বিয়ালৈ পাঁচ ঘট গাখীৰ দিম বুলি তিনিঘট দিলে "তই দিনদেক বাট চা।" ডাঙৰীয়াই লোকৰ পৰা ধৰঙণি তুলি নিজৰ নামে নিজৰ ঘৰত কৰা কালী পূজালৈ, পানীৰামে তিনিপুৰা কোমলচাউলৰ ঠাইত দুপুৰাহে দিলে, "পানীৰাম দুদিনমান ৰ তোক পানী কৰিম।"

ৰাজভক্তি ডাঙৰীয়াৰ গাত সোতৰ অনা বিদ্যমান। মন গলে চাহাবৰ চাপৰাচীটোৰেও ডাঙৰীয়াৰ হতুৱাই তাৰ ভৰিৰ ফটুৱাইবিলাকত তপত তেল দিয়াই লব পাৰে। চাহাবৰ ছাপৰাচীৰ আগত পানীত তিতা মেকুৰীটো যেন হৈ থকা ডাঙৰীয়াৰ শুভদৰ্শন আমাৰ অদৃষ্টত কেইবা দিনো ঘটিছে; কিন্তু নিন্দকবিলাকে যে কয় "ভেমপুৰীয়া মৌজাদাৰে বৰচাহাবৰ ছাপৰাচীৰ আগত হাত যোৰকৈ কথা কয়," এই কাম আমি হলে আপোন চকুৰে দেখা নাই। মিছাকৈ পৰৰ বেয়াটো আমি কেতিয়াও নকওঁ।

মৌজাদাৰ ডাঙৰীয়া শুদা শক্তিৰ লোক নহয়। মহাপুৰুষ সদ্‌ব্ৰাহ্মণ। তেওঁ পাহ বাখি মূৰ খুৰাই ঘঙা চন্দনৰ ফোট লয়; ডাঢ়িগোফ নেৰাখে; লোকৰ হোকাত ধপাত নোহোপে। তিনি সন্ধ্যা পূজা আহ্নিক নিয়ম মতে কৰে; লোকৰ ঘৰত কেতিয়াও শৰাধে বিয়ায় জলপান এটাও নেখায়; মানুহক শপত খুৱাব লাগিলে নিজৰ গালৈ চোৱাই বা আপোনাৰ ধৰ্ম চুৱলৈ কৈ শপত খুৱায়; দুৰ্গা পূজাত আৰু কালী পূজাত নিজ হাতে ছাগলী কাটে, বা আগত থিয় দি থাকি লোকৰ হতুৱাই কটাই তাৰ তেজৰ ফোটেৰে নিজৰ বহল কপাল শুৱনী কৰে; মুখেৰে দিনে ৰাতিয়ে "মা কালী" "জয় দুৰ্গা" কৰি থাকে; আন কি শিৱৰাত্ৰিত ভাঙৰ মিঠৈ আৰু বিজয়াৰ দিনা ঘোটা খাই ডাঙৰীয়াই বলিয়া হৈ গাৰ কাপোৰ-কানি খহাই খোৱাও দেখা গৈছে। ইমানতো তোমাৰ সন্দেহ আছে নে আমাৰ ডাঙৰীয়া সদ্‌ব্ৰাহ্মণ আৰু মহাপুৰুষ? আছে যদি কোৱা, তোমাৰ মুখ একেবাৰেই মাৰি থৰৰ দিহা কৰোঁ। ডাঙৰীয়া অমুক বৰম্বাৰ ঘৰৰ শিৰ-ফুটা প্ৰাচীন বংশৰ লোক। ডাঙৰীয়াৰ বংশতকৈ অসমত কোনো ডাঙৰ বংশ নাই; ডাঙৰীয়াই নিজ মুখ-পদ্মৰেই এই কথা অনুগ্ৰহকৈ দিনটোত সহস্ৰবাৰ তেওঁৰ অনুগত লোকসকলৰ আগত কৈ থাকে। এনেস্থলত তোমাৰ সন্দেহ কৰিবৰ কি কাৰণ থাকিব পাৰে আমি দেখোন ক্ষুদ্ৰ বুদ্ধিৰে তাক চুকি নেপাওঁ। অবুজনক বুজাবলৈ আৰু চেৰেম্বাৰ ঠাৰি সিজাবলৈ আমি গাত লব নোৱাৰো, তেহেলৈ তুমি যিহকে মন যায় কোৱাঁ। "ডাঙৰীয়াই ভেটী খায়।" খাবতো! ডাঙৰলোকে ভেটী নেখাই তুমি আমি ছাল-ছিগা ভিকহুৱে ভেটী খামনে? তোমা-আমাক ভেটী কোনোবাই মুখখন চাই দিবহি। লঘোনে-ভোকে থাকি আউনীআটিত শপত খাই কব পাৰি, তুমি ভেটী খাবলৈ পোৱাহেঁতেন ভেটী খোৱাৰ বিৰুদ্ধে তোমাৰ চন্দ্ৰমুখ ফেৰা নিশ্চয় গজালি থলাহেঁতেন। আৰু কৈছা, "ডাঙৰীয়াই বেটী-বান্দী চাকৰ-নাকৰক দৰমহা নিদিয়ে; সিহঁতে দৰমহা খুজিলে, চোতালত শুকাবলৈ মেলি দিয়া কাঠ-খৰি লৈ, সিহঁতক দৰমহাৰ সলনি প্ৰহাৰ দিয়ে।" প্ৰহাৰ দিবতো; দৰমহা নিদিবতো; ডাঙৰীয়াৰ হাতৰ মাৰ খোৱাটো যে সিহঁতৰ পক্ষে সৌভাগ্যৰ কথা, সেইটো গৰুহঁতে কেতিয়াও নুবুজে দেখিছে। মূৰ্খহঁতেনো ডাঙৰীয়াৰ পৰা দৰমহা বিচাৰে কিয়? বৰলোকক দিয়েনে নাই বৰ লোকৰ পৰা নিয়ে? ডাঙৰীয়া জ্ঞানী লোক, জানি শুনিয়েই তেওঁ চাকৰহঁতক দৰমহা নিদিয়ে। ব্ৰহ্মস্ব নিবলৈ দি ৰৌ-ৰৌ নৰকত ডাঙৰীয়াই সিহঁতক পেলাই মাৰিলেই তুমি সন্তুষ্ট? হাড় মূৰ ভাঙি লগুৱালি কৰাৰ পুৰস্কাৰ শেষত সিহঁতক ডাঙৰীয়াই এইটোকে দিয়ক আৰু কি। তোমাৰ বুদ্ধিটো নেনেৰা হৈ যাব লাগিছে, তাৰ গুৰিত সাৰ-জাবৰ দিবলগীয়া হলহি দেখিছোঁ।

ঘৰে ঘৰে ডাঙৰীয়াই জলপান চেলেকি নুফুৰা বাবে অগব লাগিল? আহা! কি অগবটোকেই বিচাৰি পালেহি এবা! যাৰ পাই বাৰে ঘৰত জলপান চেলেকি ফুৰি তাত তপস্যাৰ ফলত পোৱা ব্ৰাহ্মণৰ জাতটো নিয়ালেই তোমালোকৰ মনত সুখ। ৺গুৰুজনে বৰগীতত বান্ধি থোৱা কথাটো ঠিক

টং কৰিলেই বুজিব পাৰিবা। "কত তপস্যাই, নৰতনু পাই, বিকাইলোঁ কাঞ্চন মোলে।" তোমালোকৰ মতি-গতি মোৰ কলিয়ে গ্ৰাস কৰিলে। বাৰু তুমি আমাক এই কথাটোৰ সবিধান দিয়াচোন, ডাঙৰীয়াৰ জোৰৰ-ফেৰৰ কোন মানুহ আছে যে তাৰ ঘৰত গৈ তেওঁ জলপান খাব পাৰে?

আৰু ডাঙৰীয়াৰ এটা দুটা যি দোষৰ কথা কৈছা, তাৰ বিষয়ে তোমাক চমুকৈ কৈ থওঁ। কীৰ্ত্তনত আছে, "সৰ্ব্ব ভক্ষ বহ্নি সবাকো শোষে; তাক কি কৰিব ইসব দোষে।" মহৎ লোকক ক্ষুদ্ৰ পাপে চুব নোৱাৰে। জুইয়ে কেঁচা পকা দুইকো পোৰে।

কি কলা? সিদিনা ৰাতি দুপৰত ডাঙৰীয়ানীয়ে অমুকী বেটীৰ ওপৰত খং কৰি, আৰু স্বামীৰ ঘিণলগা ব্যৱহাৰত, নিজৰ জীৱনকে ধিক্কাৰ দি, চিঞঁৰবাখৰ কৰি লৰ মাৰি নৈত পৰি মৰিবলৈ গৈছিল কিয়?—কি কলা? ওঁ—গৈছিল কিয়?—উৰহি গছৰ ওৰটো নেপালে তুমি নেবা। তোমাৰ মুখৰ লগতে কেতিয়াবা তুমি কটা যাবা মই দেখিছোঁ। কেপকেপাই নেথাকিবা মনে মনে থাকা।

ইতি শ্ৰীভেমপুৰীয়া মৌজাদাৰস্য আখ্যানং
সম্পূৰ্ণং সমাপ্তং।

নকওঁ

মাহেকৰ আগৰেপৰা আমাৰ গাত উলাহ, ফাকুৱা আহিছে। তাতে ঘৰতে পূজা; উলাহৰ ওপৰত উলাহ পৰি আমাৰ বং বংপুৰৰ বংঘৰটোৰ সমান হৈছে। পূজালৈ বয়-বস্তু নৈবেদ্য-উপকৰণ গোটাবলৈ আমি ল'ৰাবোৰে উঠি-পৰি লাগিছোহঁক।

আজি অধিবাস। মেষদাহ হব। কি আনন্দ। ভবি, তই মাটিত পৰ নে নপৰ কৰ পাৰ নে? বং, তই থাকিবলৈ মোৰ বুকুত ঠায়ে নোজোৱাত পৰিল, কি কৰিম, নিজগুণে ক্ষমা কৰিবি। আলিবাটেদি যোৱা সৌ কেটা মানুহলৈ চোৱা, গোটেইটো গাৰ ভৰ ভৰিত দি, আৰু ভৰিৰ গোটেইখন পতা মাটিত পেলাই কেনেকৈ লেহেমকৈ খোজ কাঢ়িছে। সোৰোপাইঁত! অলপো যদি তইঁতৰ গাত উছাহ আছে! এনে লেহেম খোজ ফটুৱাই-কটা ভৰিৰে দেখোন নিতৌ কাঢ়িব লাগিছ, তেও আমনি লগা নাই নে? আজি ফাকুৱাৰ দিনাও মাটিত কটা চৰণ কেইটা নেপেলোৱাকৈ খোজ কাঢ়িলে কিবা জগৰ লাগে নে? ৰঙে আমাৰ মনৰ ভাবৰ গঢ় এনেকুৱাক কৰিছিল। উৎসৱৰ দিনা তেও যি দি খোজ কঢ়াটোহে আমাৰ মনত স্বাভাৱিক যেন লাগিছিল।

আমি লৰাবোৰে গাইপতি একোটা কাৰত মহা উৎসাহেৰে লাগি গৈছোঁ। মোৰ বেছি হেঁপাহ, পূজাত ফুল সৰহকৈ গোটা খাব কেনেকৈ। সেই দেখি ফুল তোলা খাৰটো মই ললো। পুৱাৰপৰা ফুলৰ কুকি হাতত লৈ, আৰোণমহীয়া পখাৰৰ পকা থান সোৱাদি, আমাৰ ফুলনি বাৰীৰ আৰু লোকৰ ফুলনি বাৰীৰ ফুল অন্ত কৰিলোঁ। ফুলে গোসাঁইঘৰ উপচি পৰিল, তেও মোৰ হেঁপাহ পলোৱা নাই। পলাশৰ ওপৰত চকু আছে। লুকাই দুমুখীয়া দা এখন লৈ পলাশফুল পাৰিবৰ মনেৰে বিলৰ সিপাৰলৈ গলো। লুকাই যাব লগীয়াত পৰিছিলোঁ এই বাবে যে আমাৰ অভিভাৱকৰ চকুম নাই, যে আমি গছত উঠো। আৰু হুকুম অমান্য কৰা বাতৰি যদি কেনেবাকৈ অভিভাৱকৰ কাণত উঠে তেন্তে আমাৰ পিঠিতো চেকনি উঠিবলৈ সৰহ পলম নহব। তাতে বিলৰ পাৰত বাঘ-থকা হাবিৰ মাজত পলাশ গছ। এনে স্থলত চাৰি-ফিট এধাৰ-ইঞ্চি-দীঘল ল'ৰা এটাৰ সাধ্য কি যে ভৰ-দুপৰীয়া এনে এটা কাম দেখা-শুনাকৈ মৰসাহ দি কৰিবলৈ য়ায়? কিন্তু অভিভাৱকৰ যিমান কি কট্‌কটীয়া হাক্ থাকক সকা কালত মই গছত-উঠা, সাতোৰা আদি মুনিহ-বিদ্যা লুকাই চুৰকৈ চচচা কৰি তাত অধ্যাপকৰো অধ্যাপক হৈ উঠিছিলো। ফাকুৱাৰ উলাহ আৰু বসন্তকালৰ ডাল-ভৰা পলাশ ফুলৰ মনমোহা কান্তিয়ে জগাই দিয়া মোৰ মনৰ হেঁপাহক, অভিভাৱক আৰু হাবিৰ ভয়ে গচকি তল পেলাব নোৱাৰিলে। থকলৈ সুৰ্ সুৰ্ কৈ হাবিৰ মাজৰ পলাশৰ তল পালোগৈ।

ভৰ-দুপৰ। বদটো পকি পৰিছে। খেলিয়ে মুৰকে ভৰিকে ছাৱে দগদগাই দিছে। চৰাই-চিৰিকতি নিমাত। চাৰিও ফাল নিজম। শব্দৰ ভিতৰত, পলাশৰ শুকান পাতত মোৰ ভৰি পৰি যি খৰ্‌খৰণি উঠিছে সেইযেইহে। ইমান নিজম যে শুকান পাতৰ ওপৰত এখোজ দি আন খোজ দিবলৈ মোৰ মনত শঙ্কা হৈছে, পাছে সেই খৰ্‌খৰণি শুনি চাৰিওফালৰ গছ-গছনিবোৰে উচপ খাই উঠে। গছ-গছনিৰ 'কথাকে নেলাগে, প্ৰথম খোজত উঠা খৰখৰনিটোৱেই দ্বিতীয় খোজৰ খৰ্‌খৰণি শুনি উচপ খাই উঠা যেন লাগিবলৈ ধৰিলে। মোৰ বুকুৰ ভিতৰ চপ্‌চপনি স্পষ্টকৈ মোৰ কাণত পৰিল। ৰূপহ ৰঙা ফুলেৰে পলাশ জোপা ৰঙালি হৈ আছে। লোভত মুখত পানী ওলোৱাদি যদি চকুতো পানী ওলাবৰ নিয়ম থাকিলহেঁতেন তেন্তে সেই ফুল দেখি সব্‌সব্ কৰে মোৰ চকুৰো পানী ওলাইছে বুলি কলোহেঁতেন।

এনেতে বিলৰ সিপাৰে এটা বহ-গুৱালে গালে:

"কেনৈ কুলিলি ৰূপহী মদাৰ ঐ?
কেনৈ পেলালি কলি?

গুৰুতো নেলাগে ভকতো নেলাগে,
থাক জলে ভৰি সৰি।”

ৰিণিকি ৰিণিকি এই বনগীত ফাকি মোৰ কাণত পৰিল। ভাবিলো, মদাৰৰতো এই দশা, পলাশক কিন্তু আজি মই গুৰু-ভকতক নলগাই নেৰোঁ। কঁকালত দা খন গুজি লৈ পলাশ গছত উঠি গলো। গছজোপা সৰু নহয়; দুই মুনিহে আকোৱালি নোপোৱা। মই কিন্তু এটা লেখৰ গছোৱাই বুলি আগেয়েই উনুকিয়াই থৈছোঁ। অঙ্গদ সুগ্ৰীৱ উঠাদি টপ্ টপ্ কৰে উঠি গৈ এটা খাঁকি পাবলৈ মোৰ বেছি প্ৰয়াস নেলাগিল। ল'ৰা-মন, গছৰ খাঁকিত উঠি মোৰ ৰাজপাটত উঠা যেন লাগিল। নেলাগিবই বা কিয়, কেঁচা কলঠহৰা এডালকে, জৰিৰ লেকাম লগাই, ঘোৰা কৰি উঠি চেকুৰি ফুৰি, ঘোৰাত উঠাৰ সুখ অনুভৱ কৰা কাল-টোক বিদায় দিবৰতো বহুদিন হোৱা নাছিল।

ফুলেৰে ভৰি থকা ডাল এটা কাটি তললৈ পেলাই দিওঁ বুলি, দাখন ডাঙি লৈছোঁ, এনেতে যেন কোনোবাই কিবা গুণ্ গুণাই কোৱা কথা মোৰ কাণত পৰিল। কোনে নো কি কলে ঐ? ইকালেও চাওঁ সিফালেও চাওঁ, কতো একো নেদেখোঁ। গছ জোপায়ে, তাৰ ডালত কোব নেমাৰিবলৈ মোক কাকতি কৰি কিবা কৈছেনে কি? কবও পাৰে, কাৰণ মই যে আজি ৰাজসিংহাসনত উঠি ৰজা হৈছোঁ। গছেও সেইটো বুজ পাইছে যেন পাওঁ। ৰজাৰ আগত গোচৰ কৰিবলৈ অনেকৰ অনেক কথা থাকে। “ওৱেল্ গছ তোৰ কি কবলগা আছে, সোনকালে ক, ৰজাৰ আজি ফোৰছেদ বহুৎ কম আছে। তোৰ যদি বৈৰীয়েৰে তোক এৰি গুচি গৈছে, তেন্তে মই এতিয়াই তাইক তোক ডিগিৰি দিম। কিন্তু যদিহে কৰ খুজিছ, তোৰ ডাল নেকা-টিবলৈ, তেন্তে তোৰ গোচৰ ডিচ্‌মিচ্ বা ঘিচ্‌মিচ্।” এই বুলি আকৌ দাৰ নালটোৰ খামোচটো কট-কটীয়াকৈ ধৰি ডালটো বলি দিব খোজোতেই আকৌ গুণ্‌গুণ্ কৰে কোনোবাই কিবা কোৱা যেন লাগিল। কোৰটো “মলতৰি” কৰি আকৌ চাৰিউফালে চকু ফুৰালো। এইবাৰ চকুত পৰিল, পলাশ গছৰ গুৰিৰ পৰা এবেঁউমান দূৰত পৰি থকা লাওখোলাৰে সৈতে মানুহৰ জকা এটা। এইবাৰ সাহেৰে বন্ধোৱা মোৰ বুকুখন অলপ লৰিল দেই। এই জকাটোৱেই মোক কিবা কৈছেনে কি? জকাটোৱে নো কি কব পাৰে? সি মৰা মানুহৰ জকা। কিবা ভূতেই তাত লম্ভিছে বা? কি ভূত লম্ভিব। ভূত থকাটো তো মই বিশ্বাস নকৰোঁ। গৱৰ্ণমেণ্ট হাইস্কুলৰ প্ৰথম শ্ৰেণীত পঢ়ি যদি আকৌ ভূত মানিব লাগিল, তেন্তে মোৰ জীৱনত ধিক্কাৰ, স্কুলৰো বদনাম, প্ৰথম শ্ৰেণীৰো হাঁহিয়াত, আৰু আমাৰ হেড মাষ্টৰৰো অপযশ। নহয় নহয় ভূত নহয়, ভূত নাই। এতিয়া ঠিক বুজিলো, ৰতাহে সৌ শিমলু গছ জোপাৰ চোওত, ভাটৌৰ অনুপস্থিতিত, অনধিকাৰ প্ৰৱেশ কৰি, ভাটৌৰনীৰ কাণত মনোবেদনা জনাইছে। বাৰু, এই মানুহৰ জকাটো নো কৰপৰা আহি ইয়াত ওলালহি? অ' আৰু বেলি যে আমাৰ সেই লগুৱাটো মৰিছিল, তাক এইখনতে কবৰাত পুতি-ছিল। শিয়ালে বোধকৰোঁ তাৰে জকাটো খালি উলিয়াই টানিটুনি আনি এইখিনিত পেলালেহি।

এইবিলাক কথাৰ এটা সন্তোষজনক মানসিক সমালোচনা কৰি পলাশৰ ডালটোত দুমুখীয়া দাৰে আকৌ বাহু দাঙি কোব মাৰিব খোজোতেই, মোৰ পেটত এটা আমবলি পৰুৱাই কৰবাৰ পৰা আহি কেটেৰ কৰে কামোৰ মাৰি দিলে। উস্ উস্ কৈ পৰুৱাটো একুৱাই এচাৰ মাৰি পেলাই দিলো। ইমান বেগেৰে এচাৰ মাৰি তাক পেলাইছিলো, যে সি পৰুৱা নহৈ যদি এটা মখনা হাতীও হলহেঁতেন, মাটিত পৰি ঠেকেচা খাই সি ইমান গুৰি হলহেঁতেন যে তাৰ হাড়-মূৰ কেইডোখৰ, ধাইগনি বা সোতাৰে সাৰি একেঠাই কৰিবলৈকো আমাৰ আমুকী বেটী “বুঢ়ী বায়ে” বিচাৰি নাপালেহেঁতেন। কামোৰা ঠাইডোখৰ ততালিকে ৰঙা পৰি উখহি বিষাবলৈ ধৰিলে। এই সমসাময়িক কালতে চিলনি এটাই ‘চিঁ-হিঁ-হিঁ’ কৰি, মোৰ দুখত হাঁহিয়েই নে কৰ নোৱাৰোঁ, শিমলু জোপাৰ ফালে উৰি গ'ল। এইবাৰ কিন্তু সঁচাকৈয়ে মোৰ গাটো গম্ গম্ কৰিব লাগিল, আৰু গাৰ নোমবোৰো কেঁটেলাপহুৰ কাঁইটৰ সিচিনাকৈ থিয় হল। একিল পাই এবুধি চাপিল। ভাবিলোঁ ভৰ-দুপৰীয়া অকলৈ এই হাবিৰ মাজৰ গছত উঠি ফুল পাৰিবলৈ আহি মই ভাল কৰা নাই। ফুল পৰা এৰি এতিয়া লাহেকৈ নামি ঘৰ পাবগৈ পাৰিলে ৰক্ষো। মানুহে কিবা “পৰুৱাই পোৱা” বুলি ভূতে পোৱাৰ কথা কয়, মোক হলে আজি সঁচাসঁচিকৈয়ে ভূত-পৰুৱাই পাওক নেপাওক আমবলি পৰুৱাই পালে। বিষত তত একুৱাৰ লাগিছে।

এনেতে আকৌ আগৰ সিচিনা গুণগুণনি মোৰ কাণত পৰিল। ই কথাই কথা নহয়, সুত কৰে নামি পৰোঁ বুলি নামিবলৈ কাৰবাৰ কৰিলো। এখোপ নামিছোঁ, দুৰ্ভাগ্যবশতঃ এনেতে কনত খেলালে মোৰ আজি ইমান পৰিশ্ৰমটো এনেই গল। অন্ততঃ গোটাচেৰেকমানো ফুল লৈ যাব পৰাহেঁতেন ভাল আছিল। ঈশ্বৰৰ পূজাৰ অৰ্থে ফুল নিবলৈ আহিছোঁ, আনতো একো অন্যায় কাম কৰিবলৈ মই অহা নাই, এইবোৰ মিছা ভয়-ভ্ৰান্তি কৰি তুদাতে সময় নষ্ট কৰিছোঁ কিয়? যি খোপ নামিছিলো সেই

খোপ দুনাই উঠি গৈ আগৰ আসন বা সিংহাসন গ্ৰহণ কৰিলো। তলত লিখা ঘোষা ফাকি নাঁকী সুৰেৰে গাই, ভয় সৰকিব নোৱাৰাকৈ মনটো ললো।—

"হৰিৰ নামৰ ধ্বনি লাগি পলাই পাপ দশোদিশে ভাগি
হেৰ পাইলে বুলি ভয়ত ভিৰি লৰৰে।
এক ব্ৰহ্মাণ্ডত নেপাই ঠাই আৰ ব্ৰহ্মাণ্ডক পলাই যায
নামে খেদি নেন্ত ব্ৰহ্মাণ্ডোপৰি বাগৰে॥"

ঘোষা ফাকিৰো অন্ত পৰিল, পলাশৰ ডালত পূৰ্ণ-হতীয়া কোবো পৰিল, কিন্তু মনৰ বেগত দুমুৰীয়া দা খন ইমানকৈ দাণ্ডি কোব মাৰিলো, যে তাৰ এমুখৰ কোব পলাশৰ ডালত, আৰু আন মুখৰ কোব মোৰ মূৰত ৰহিল। মূৰৰ পৰা তেজ বৰলৈ ধৰিলে। অধৰমী দাখন তললৈ পেলাই দি সোঁ হাতে মূৰৰ ঘাত আৰু বাওঁ হাতে গছৰ গাত ধৰিলো। এনেতে কুৰি বেওঁ মান আঁতৰত থকা ঔ গছ এজোপাৰ তলৰ পৰা এই কথাষাৰ আহি মোৰ কাণৰ বিন্ধাত কাঁড় পৰাদি পৰিল,—"বোপাদেও, গছত ভালকৈ সাবটি ধৰক; নেৰিব মই গৈছোঁ?" কটা ঘালৈ পাহৰি মই "খায ঔ" বুলি চিঁঞৰ মাৰি দিলো। "মই জ—হে ভয় নকৰিব" এই বুলি গোনামহে হাবি ভাঙি অহাদি হাবি ভাঙি লৰি জ—মোৰ আগত ওলালহি। চাকিৰ আগত এন্ধাৰ যেনেকৈ পলায় তাৰ আগত মোৰ ভয় তেনেকৈ পলাল। মোৰ বুকুখন চাৰি আঙুলমান ডাঠ হৈ পৰি মুখত এই প্ৰশ্ন ওলাল, "তই ইয়াত কৰপৰা ওলালিহি জ—? আ-কলৈ গল? তহঁতক পুলিচে বিচাৰি ফুৰিছে।" সি মোৰ কথাৰ উত্তৰ দিবলৈ গৈ সময় নষ্ট নকৰি, মোক সাহায্য কৰি লাহে লাহে গছৰপৰা নমাই লৰালৰিকৈ তাৰ গাৰ গামোছাখনেৰে মোৰ মূৰটো বান্ধি দি, ঔ গছজোপাৰ তললৈ লৈ গল। ঔ গছৰ তলতে আ—ক দেখিলোঁ। "ইস্ বোপা, কিমান কাটিলে চাওঁ? আপুনিনো এই ভৰ দুপৰীয়া হাবিৰ ভিতৰত গছত উঠি ফুল পাৰিবলৈ আহিব পায় নে?" এই বুলি আ—ই বাঁহৰ চুঙা এটা আনি লৰালৰিকৈ মোৰ মূৰৰ ঘাত পানী ঢালি দিবলৈ ধৰিলে। সিহঁত দুইবো যত্নত পাঁচ মিনিট মানৰ মূৰত মোৰ তেজ বল। কিন্তু সুখৰ বিষয়, বেছি কটা নাছিল। কিবা এটা বন-পাত দৰৱ বিচাৰি আনি আ—ই চোবাই মোৰ মূৰৰ ঘাত দি কলে, "বোপা, এই দৰবটো তিনি দিনলৈ ঘা ডোখৰৰ পৰা নুগুচাব, আপোনাৰ ঘা নপকে আৰু শুকাই যাব।"

জ—ক সুধিলো, "পিছে জ—, কচোন তই আ—ক পলুৱাই আনি আজি সাত দিন কত আছ? তোৰ হাকিম—ৰবম্বাই তোক বিচাৰি গোটেই ধনতে চলথ লগাইছে। তেওঁৰ ঘৰত পানী এটোপা আনি দিবলৈকো মানুহ এটা নাই; আনাৰ লগুৱাই হে গৈ পানী এভাৰ দি আহে। সিকালে নৌজাদাৰে তেওঁৰ এইক তই পলুৱাই অনা বাবে, তহঁত দুইকো গ্ৰেপ্তাৰ কৰাৰৰ মনেৰে, দুইবো নামে তেওঁৰ কিবা-কিবি বস্তু চুৰ কৰি আনিছহঁক বুলি, পুলিচত সংবাদ দিছে; পুলিচে পিত-পিত কৈ তহঁতক বিচাৰি ফুৰিছে।

জ—"বোপা, তেওঁ কৰক পুলিচত মকৰ্দ্দমা। মই তেওঁৰ লিগিৰীজনী আনিছোঁ হয়, কিন্তু তেওঁৰ কুটা এগছতো হাত দিয়া নাই। তাইও দিয়া নাই। আমি চোৰ নহওঁ।"

আ—"অত দিন তেওঁৰ ঘৰত কাম কৰিলো, এটা খুদ চাউল চুৰি কৰিছোঁ বুলি কোনেও কব নোৱাৰে। এতিয়া যদি তেওঁৰ বস্তু চুৰ কৰি আনিছোঁ বুলি, তেওঁ বামুণ ধৰ্ম্মিষ্ঠ আৰু ডাঙৰ মানুহ হৈ কৈছে, কওক গোসাঁয়ে দেখিব।"

মই—"বাৰু জ—তহঁতে এই হাবিতে আছনে?"

জ—"ইয়াতে আছোঁ।"

মই—"ৰাতি হলে ইয়াত কেনেকৈ থাক?"

জ—"এই ঔ জোপাৰ ওপৰত উঠি থাকোহঁক।"

মই—"আ—কেনেকৈ গছত উঠে?"

জ—"তাইক মই তুলি নিওঁ।"

মই—"ৰাতি টোপনিয়াই দেখোঁ সৰি পৰিবৰ সম্ভৱ?"

জ—"পানী নানোচাৰে আনাৰ কঁকাল গছৰ ডালত বান্ধি থওঁ।"

এইবিলাক শুনি মোৰ লৰা-মন কেনে লাগিছিল কব নোৱাৰোঁ। "মই যাওঁ এতিয়া" বুলি বিদায় লৈ আহিবলৈ ধৰোঁতে, আ—ই মোৰ ভৰিত দীঘল কৈ পৰি কলে, "বোপা দেউতা, মোৰ এটি কথা ৰাখিব লাগিব।" মই "ৰাখিম" বুলি উত্তৰ দিলত, তাই কলে, "আমি যে ইয়াতে পলাই আছোঁ এই কথা আপুনি কাকো নকব।" মই "নকওঁ" বুলি ঘৰ-মুৱা হলো। অলপমান দূৰ আহিছোঁ, এনেতে "বোপা, বোপা"কৈ জ—লৰি আহি মোক লগ ধৰিলে। মই "কি হল" বুলি সুধিলত সি কলে, "আমাৰ তাই ৰবকৈ কৈ পঠিয়াইছে যেন আপুনি আপোনাৰ মূৰৰ সেই দৰবটো তিনি দিনলৈকে নেৰুৱায়।" মই "নেৰুৱাওঁ" বুলি কৈ গুচি আহিলো। প্ৰতিজ্ঞা পালন কৰি তিনি দিনলৈকে মই সেই দৰবটো ঘাৰ পৰা এৰুৱা নাছিলো। তিনি দিনৰ মূৰত দৰবটো এৰুৱাই দেখিলো, ঘা শুকাই গল।

সিটো প্ৰতিজ্ঞাও, প্ৰায় দহ বছৰ হল, আজিলৈকে মই পালন কৰি আছোঁ। এই পৰ্য্যন্ত এটা কোৰা-চিলাকো, সিহঁত সেই বিলৰ পাৰৰ হাবিত পলাই আছিল, সেই কথা মই কোৱা নাই, আৰু "নকওঁ"।

কন্যা

কাৰ্য্যগতিকে কিছুদিনৰ নিমিত্তে মোৰ প্ৰবাস ঘটিল। প্ৰবাস নুবুলি বনবাস বোলাই যুগুত। বাসস্থানৰ চাৰিউফালে প্ৰকাণ্ড গছ পৰ্ব্বত আৰু এঙাৰ বৰণীয়া কোলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ঘৰ। ঘৰ বোলাত তোমাৰ আমাৰ ঘৰৰ নিচিনা ঘৰ বুলি নেভাবিবা। জুপুৰি বা পজা। সিও অসমৰ দুখীয়া মানুহৰ বা মগনীয়াৰ জুপুৰিৰ নিচিনা বুলি ভাবিলে ভুল হব। গছৰ ঠেঙুলি গোটাচেৰেক দি, চাৰিহাত মান দীঘল দুখন চালৰ নিচিনা কৰি, তাৰ ওপৰত এগোপা ঘাঁহ চটিয়াই দিয়া; বেৰ নিদিবা; দুই পাৰী-পাছকে মাটিত লগাই দি বেৰৰ কাম কৰোৱা, মুখেদি বাটৰ ব্যৱস্থা কৰা। দেখিবা, গিৰীয়েক, ঘৈণীয়েক, পুতেক, বোৱাৰীয়েক, লৰা-ছোৱালীৰে সৈতে এটা পৰিয়াল বাস কৰিব পৰা এটা কোল-জুপুৰি তুমি সাজি পেলালা।

আমাৰ ঘৰৰ কাষেদি এখন সৰু পৰ্ব্বতীয়া নৈ বৰ বেগাই শিলৰ মাজেদি বৈ গৈছে। নৈ খনৰ নাম কন্যা। সোৱাদ নামটি। হয় কোনো কবিয়ে এই নামটি ৰাখিছিল, নহয়, নৈয়েই আপোন গুণেৰে সৰ্ব্বসাধাৰণ অকবিৰ হৃদয়ত কবিতা-লহৰি তুলি দি বলেৰে এই প্ৰাপ্য নামটি ললে। কন্যাৰ গভত ডাঙৰ সৰু নানাবিধ শিল আছে। এই শিলবিলাকত পানী পৰি দিনে ৰাতিয়ে অবিশ্ৰাম কৰুণ ধ্বনি উঠি থাকে। প্ৰায় আধ মাইল বাটৰ পৰা, কান্দোনৰ নিচিনা সেই বিষাদসূচক কৰুণ ধ্বনি কাণত পৰে। শুনিলে মন বনবাসী হৈ কৰবালৈ গুচি যাবখোজে। দুই পাৰৰ প্ৰকাণ্ড কোনোৰা-কলিগ-সুগীয়া দুশাৰি গছে নৈখন সাৰট মাৰি ধৰি, সেই কান্দোন শুনি সমবেদনাজ্ঞাপক টোপালেৰে সেই শোকত সহানুভূতি প্ৰকাশ কৰিব লাগিছে যেন লাগে। বিশ্বনিয়ন্তাৰ ৰাজ্যত এই মৰ্ম্মভেদী শোক আৰু হৃদয়স্পৰ্শী সহানুভূতিৰ তাৎপৰ্য্য কি আমি কি বুজিম? কিন্তু এনে নিভাজ সহানুভূতি যত পোৱা যায় তাত কান্দিও সুখ আছে। পুৱা-গধূলিৰ আহৰি কালটো মই কন্যাৰ পাৰত কটাওঁ। বৰ ভাল লাগে। ঘাইকৈ তাত মোৰ দুটা সকাম। প্ৰথম —ৰঙা বগা কলা হালধীয়া ইত্যাদি নানা বৰণীয়া শিলগুটি গোটোৱা। দ্বিতীয় —পাৰৰ গছ এজোপাৰ শিপাতে অকলশৰীয়া হৈ বহি কন্যাৰ সেই কান্দোন শুনা। ইমান দিনৰ পিচত আজিও সেই দুটা কাম আৰু সেই কন্যাৰ পাৰলৈ মনত পৰিলে বুকুখন হুন্‌হুনাই উঠে।

একো একো দিনা মোৰ উল্লিখিত দুই কাৰ্য্যত এজন বন্ধুৱে যোগ দিয়ে। বন্ধুৰৰ কিছু সাংসাৰিক আৰু বঙীয়াল বিধৰ মানুহ। অৰ্থাৎ এই পৃথিৱীত খাই-লৈ মানুহবোৰ হৈ থাকিবলৈ হলে যেনে হোৱা আৱশ্যক, তেনে; কবিতাৰ ফেন খাই গোটেই জীৱনটো উস্ উস্ আস্-আস্ কৰি ফুৰা বিধৰ লোক নহয়। কাৰবাৰু কবিত্ব কৰিবৰ দেখিলে দুটা এটা খেমেলীয়া কথা প্ৰয়োগ কৰি হাস্যৰসৰ অৱতাৰণা নকৰি তেওঁ নেথাকে। কোনো এজোপা গছৰ সৌন্দৰ্য্য দেখুৱাই কোনো কথা তেওঁৰ আগত কলে, তেওঁ উত্তৰত সেই জোপা গছ দীঘলে কেই হাত, বেৰে কেই হাত, আৰু কাটিলে তাত কেইটা খুটা কেইটা চতি হব আৰু তাৰ মূল্য কিমান হব, এনেবিলাক হিচাপ কৰি কাব্যৰসৰ দফাকাম গোপাকে কৰি থয়। কণা শিলগুটি এটা বুটলি আনি "এইটি কেনে সুন্দৰ চোৱা।" বুলি তেওঁক দেখুৱালে, সেইটো ভাঙি গলাবলে শতকৰা কিমান তাত লো বা আন ধাতু ওলাব তাৰ তেওঁ লেখ কৰি কথাৰ ওৰ পেলাই দিয়ে। এদিন এটি বঢ়িয়া চিকচিকীয়া কলা শিলগুটি আনি তেওঁক দেখুৱাই সুধিলোঁ, "কেনেকৈ এনে দেখিবলৈ চিকুণ কলা শিল গুটি হয়?" তেওঁ উত্তৰ দিলে, "এই যে কেতোৰ কলা মানুহবোৰ দেখিছা, ইহঁত মৰিলে ইহঁতৰ হাড় আৰু নঙহবোৰ ভাগিছিগি এই শিলগুটিবিলাক হয়।" মই শিলগুটি বিচাৰি বুটলি ফুৰোঁ, তেৰেঁা মোৰ লগে লগে বিচাৰি ফুৰে, কিন্তু কয়, তেওঁৰ উদ্দেশ্য বেলেগ, তেওঁ শিলগুটি বিচৰা নাই, কৰবাত হীৰা বা আন বহুমূলীয়া শিল পায় বুলিহে বিচাৰিছে।

যি ডাল গছৰ শিপাত বহি মই দ্বিতীয়টি কাম কৰোঁ, তাৰ দহ বেও মান অংশতে এটা গুলিত এটা কুৰি বছৰমান বয়সীয়া ডেকা কোল লগাই আহি সিতো আবেলিপৰৰপৰা গধূলিলৈকে বৰশী বায়। সি সিতো বৰশী বায়, কিন্তু মই এদিনো তাক এটাও মাছ ধৰা নেদেখিলো। নৈত যে মাছ নাই এনে নহয় বা বৰশীত খোটা সিহঁতৰ অভ্যাস নাই এনেও নহয়। লোকৰ লৰাই বৰশী বাই সেই নৈৰে মাছ জোকাজোকে নৈ গৈ তিনিতেলনি মাৰি খায়। আচল কথা, আমাৰ লৰাই বৰশী থয় পানীত, আৰু চকু থয় নৈৰ সিপাৰত। মাছে নিজৰ অৱসৰ মতে আহি বৰশীত খুটিয়ায়, পুঙা টনাটনি ব্যায়াম বা পৰিশ্ৰম কৰে, শেহত আকণ্ঠ পৰিপূৰ্ণ কৰি টোপ খাই ভোক গুচাই ঘৰামৰি গুচি যায়। বৰশী বাওঁতাৰ ভুৱেই নাই। বৰশীৰ গৰাকীয়ে কেৱল

নৈৰ সিপাৰত চকু থৈ কোনোৱা সপোন পুৰীত ঘুৰি ফুৰে'।

সমুখতে সিপাৰে পানী নিয়া ঘাট। এজনী গাভৰু কৃষ্ণবৰ্ণ কোল ছোৱালী নিতৌ অকলৈ সেই সময়তে কাষত কলহ লৈ পানী নিবলৈ আহে। এই কলা চৰ্ব্বক ডোখৰেই আমাৰ কলা লো কোল ডেকাৰ চকু দুটা সিপাৰলৈ টানি নি ধৰি ৰাখে। কোল সুন্দৰী পানী নিবলৈ আহে আবেলিতে, কিন্তু সন্ধ্যা লাগি ভাগি যায়, তথাপি তাইৰ কলহ ধোৱাই নহ'। তাইৰ মাটিকলহটোৰে সৈতে নো মলিৰ কিয় ইমানটো ডাঠ প্ৰণয় কৰ নোৱাৰোঁ। তাই ঘঁহি-পিহি ধুই-পখালি দেখোন কোনো মতেই কলহৰ পৰা মলিৰ কামোৰ এৰুৱাব নোৱাৰে।

সি যি হওক, এই মাছ-ধৰোঁতা আৰু পানী কঢ়িয়াওঁতা দুজনৰ ভিতৰত এষাৰ কথাও কেতিয়াও গাল-বদল হোৱা নেদেখিলো। দেখাৰ ভিতৰত মাত্ৰ এই ফেৰাহে—ইফালে ইটোৰে হাতত বৰশীৰ ডাঁড়ি লৈ চৰণ-পৰা মানুহটো যেন চকু খিৰ কৈ থাকে, সিফালে সিজনীয়ে খালি ঘঁহি ঘনে ঘনে কলহ ধুই কেঁৰা-কেঁৰিকৈ ইয়াৰ ফালে চাই কাল কটায়।

এনেৰূপে কিছু দিন গল। এই লীলা দিনৌ হয়। কন্যাৰ পাৰলৈ যোৱা মোৰ সকামৰ তালিকাত এই লীলা দৰ্শন কাৰ্য্যটিও তৃতীয় স্থান ভুক্ত হল।

এদিন আমি তিনিও নিজ নিজ নিত্য কাৰ্য্যত নিমগ্ন আছোঁ, এনেতে দেখোন হঠাৎ কোল ডেকাই ভয়ানক উটপ খাই, বৰশীৰ ডাঁড়ি হাতৰপৰা পেলাই জপং কৰে সেই ঘুলিত পৰিল। মই তাৰ একো অৰ্থ বুজিব নোৱাৰি এক মুহূৰ্ত্তমান চাই আছোঁ, দেখিলোঁ, সি ঢোকাঢোকে পানী খাই বুৰ মাৰিব লগা হৈছে। লৰ মাৰি গৈ কাপোৰে-কানিয়ে একে জাপেই পানীত পৰিলো। কিন্তু মই লৰি গৈ পানীত পৰোঁমানে সি তলেই গল। দুই মিনিট মানৰ মূৰত তাক বিচাৰি পাই জোটোৰ-পোটোৰকৈ অতি কষ্টে বামলৈ তুলিলো। উভটি চাই দেখোঁ, চাৰি পাঁচোটা মানুহ মোক সেই কাৰ্য্যত সহায় কৰিবলৈ লৰি আহিছে। অলপমান পৰৰ মূৰতে ভালেমান মানুহ আহি সেই ঠাইত গোট খালে; আৰু লৰি চাপৰি কান্দি-কাতি তাৰ মাক বাপেক ওলালহি। এখন হুৱা-দুৱা কোচাল লাগি পৰিল।

কিয় কি শোকৰ কথা। সকলোৱে নানা প্ৰকাৰ চেষ্টা কৰিও তাৰ ধাতু আনিব নোৱাৰিলে। তাৰ শৰীৰ সজাৰ পৰা প্ৰাণ পখী উৰি পলাল।

কিন্তু সি হঠাৎ এনে উটপ খাই পানীত পৰিল, এই কথাৰ গুৰি বিচাৰি গৈ দেখা গল যে, সি পাৰৰ যি খিনিতে দিনৌ বহি বৰশী বায়, সেই খিনিতে এটা ভয়ানক অজগৰ সাপ মাটিত পোত খাই আছে। সাপটোৰ গাৰ ওপৰত মাটি পৰি বন গজিছে। সি নিতৌ সেই সাপৰ ওপৰত বহি বৰশী বাইছিল, তেও সাপ বুলি নেজানে। সেইদিনা সাপে অলপ লৰচৰ কৰিছিল; সি কি এইটো বুলি বৰ ভয় খাই পানীত পৰিল।

গাঁৱৰ ভালেমান মানুহ আহি মাটি খানি খুটি পুতি কুঠাৰেৰে কাটি সাপটো মাৰিলে। জুখি দেখা গল, সি দীঘলে বাৰ হাত, বেৰে আঢ়ৈ হাত। সেই দিনাৰ পৰা কন্যাৰ পাৰৰ লীলা শেষ হল। ভয়তেই হওক কি বেজাৰতেই হওক আৰু সেইফালে মই মুখ নকৰা হলো।

এই ঘটনাৰ তিনি দিনৰ পাছত পুনাই পানী আনিবলৈ নৈলৈ যোৱা মোৰ লগুৱা লৰাটো উধাতু খাই লৰি আহি মোক মাতিলে, "দেউতা। দেউতা।" মই "তামোলৰ চিকুণ গুৱা, টোপনিৰ চিকুণ পুৱা," বুলি কোৱা আগৰকলীয়া সেই বুঢ়া লোকজনক পেটে পেটে নথৈ শলাগি সুখেৰে দকচি শুই আছো। "দেউতা। দেউতা" কৈ পুনাই মোৰ টোপনি ভঙা বাবে কঠালগুটীয়া লগুৱা লৰাটোক মই ভেকাহি মাৰি দিলো; "কি হেকেউতা হেকেউতা কৰিবলৈ লাগিলিহি তই ৰাতি পুৱাই দিনটোলৈ, গুচ ইয়াৰ পৰা, মুখ ভাঙিম ধৰি।" সি কলে, "দেউতা, আহক-চোন চাওকহি সেই ঘুলিতে কিবা এটা ওপঙি আছে।" মই লৰালৰিকৈ উঠি চাবলৈ গৈ, মানুহৰ শ যেন দেখি তোলাই অনালো। দেখোন, নৈৰ সিপাৰে নিতৌ পানী নিবলৈ অহা সেই কোল ছোৱালী জনী।।

পণ্ডিত ম—

প্ৰথম আধ্যা

খাজনা-গাৰাজৰ ৰবকাঁহত টং টং কৰে ৰাতি ৯ কোৰ পৰিল, পণ্ডিত মহাশয়ে আলখী কেজনক বাহিৰতে শুবলৈ কৈ এন্ধাৰে-মুধাৰে খপিয়াই-খপিয়াই আহি বান্ধনী-ঘৰৰ দুৱাৰ মেলি চাকি বিচাৰিবলৈ লাগিল। কলীয়া বোন্দা মহাশয়ে এন্ধাৰ বান্ধনী-ঘৰত গধূলিৰে পৰা এভেখেনি মেলিলৈকে নিগনি, শলিয়া, ভজা-মাছ আৰু গাখীৰৰ ওপৰত অকণ্টকা ৰাজত্ব কৰি, এতিয়া ছত্ৰভঙ্গ হবৰ কাল পালেহি জানি আখাৰ ওচৰত ক্ষণকালৰ নিমিত্তে আসন গ্ৰহণ কৰি ৰাজ্যভাৰ এৰি ৰাণপ্ৰস্থী হোৱাৰ কথা ভাবি চিন্তাত নিমগ্ন হল। "অত্যাচাৰী মাৰ্জ্জাৰী ৰজাৰ হাতৰ পৰা পৰম দয়ালু 'পণ্ডিত' গৱৰ্ণমেণ্টৰ

শাসনৰ তলত পৰিলো, আহা ! আমাৰ কেনে সৌভাগ্য।" এই কথা ভাবি নিগনি শলিমা প্ৰভৃতি প্ৰজাসকলে মূৰত হাত ফুৰাবলৈ ধৰিলে। পণ্ডিত মহাশয়ে স্পৰ্শেন্দ্ৰিয়ৰ সাহায্য লৈ এন্ধাৰেৰে সৈতে তুমুল সংগ্ৰাম কৰি অনেক কষ্টেৰে এপেট সৰিয়হৰ তেলেৰে মাটিৰ চাকিটো উদ্ধাৰ কৰি পলাই আহি বাহিৰৰ পৰা লগাই নি বাদ্ধনী-ঘৰত পুনঃ প্ৰৱেশ কৰিলে

নিৰ্দ্দিষ্ট ঠাইত হাতৰ চাকিটো থৈ, বন্ধা-বঢ়া সন্ধ্যা-অৰ্চ্চা আদি নিৰ্দ্দিষ্ট কামৰ আগেয়ে, মাজ মজিয়াত "এহন বলিগ্ না দেখি বেটা ইঠা না সিঠা ?" এই বুলি পণ্ডিতে এটা গোৰ মাৰিলে। অলপ পৰ থাকি আকৌ সেই ফাকি কৈ এগোৰ, আৰু অলপ পৰ থাকি আকৌ কৈ আকৌ এগোৰ। এই ৰেৰা মান-শ্ৰম কৰি নিশ্চিন্ত মনে তেওঁ হাতেৰে ভাত বান্ধিবলৈ আৰু মুখেৰে দুৰ্গাসহস্ৰনাম পাঠ কৰিবলৈ ধৰিলে ।

বাহিৰৰ ঘৰত শুই থকা তিনি আলহীৰ ভিতৰৰ এজনৰ কাণত ঠাঁচ্ কৰে হঠাৎ এবাৰ সেই কথাফাঁকি পৰিল। আৰু তাৰ লগে লগে তেওঁৰ অন্তৰৰ বহুদিনীয়া এন্ধাৰ খোটালি এটাত কিবা এটা মোৰ নথকা ঘটনাৰ, বিজুলীৰ পোহৰৰ দৰে, চকামকা এটা পোহৰো পৰিল।

দ্বিতীয় আধ্যা

দুৰ্গাপূজা ওচৰা ওচৰি; সকলোৰে মনত উৎসাহ আনন্দ আৰু প্ৰফুল্লতা। স্কুল বন্ধ হব, ছুটী পাম, ঘৰলৈ যাম, এইবিলাক ভাবি চতুৰ্ভুজপুৰৰ গৱৰ্ণমেণ্ট হাইস্কুলৰ লৰাবিলাক ৰঙত নাচি ফুৰিছে। চাওঁতে চাওঁতেই আজি কালিকৈ পূজাৰ বন্ধ আহিল। মফস্বলৰ ছাত্ৰবিলাক, কোনোটো বন্ধ হবৰ দিনাই, কোনোটো তাৰ পিছ দিনাই, উলাহত ডেও দি মাক-বাপেক ককায়েক-ভনীয়েকৰ কাষ পালেগৈ।

শিতলপুৰৰ বাবু বিলকুচন্দ্ৰ খৰিদ্দাৰ অনুষ্টুপীয়া ৰকমৰ জমিদাৰ। বছেৰেকত ছহেজাৰ টকা মুঠেই আয়, ইফালে ব্যয়ৰো বাহুল্য আছে, গতিকে তেওঁৰ চলন-ফুৰণ বৰ ধুমধাম অস্কাৰ বিধৰ নহয়। তেওঁৰ একেটি লৰা, বয়স ১৪ বছৰ, চতুৰ্ভুজপুৰত পঢ়িবলৈ থৈছিল। পূজাৰ বন্ধত লৰাটি যি দিনা ঘৰ পাবহি কথা আছিল, সেই দিনা নেপালে দেখি জমিদাৰ বাবুৱে পাছ দিনা লৰাটি লৈ আহিবলৈ চতুৰ্ভুজপুৰলৈ নাও মানুহ পঠিয়াই দিলে। এদিনৰ পিছত নাও মানুহ উভতি আহি বাতৰি দিলে যোলে লৰা তাত নাই, বন্ধৰ দিনাই ইয়ালৈ গুছি আহিছে! বাতৰি শুনি জমিদাৰ বাবু আৰু তেওঁৰ স্ত্ৰী চিন্তিত হৈ পৰিল। পিছত জমিদাৰ বাবু নিজে চতুৰ্ভুজ-পুৰলৈ লৰা বিচাৰি গল ; কিন্তু লৰাক আৰু তেওঁ তাত বিচাৰি নেপালে। পুলিচৰ অনুসন্ধান, নিজৰ অনুসন্ধান, বন্ধু-বান্ধৱৰ অনুসন্ধান আদি যত প্ৰকাৰ অনুসন্ধান বা উপায় আছিল সোপাকে প্ৰয়োগ কৰিও লৰা কলৈ গল কি হল, তাৰ একো শুং-সূত্ৰ উৱাদিহ পোৱা নগল। অৱশেষত নিৰাশ হৈ জমিদাৰ বাবু শূন্য-হৃদয় লৈ ঘৰলৈ উভতি আহি শূন্য-হৃদয়া স্ত্ৰীৰে সৈতে কান্দি কান্দি শোকেৰে দিন নিয়াবলৈ ধৰিলে।

তৃতীয় আধ্যা

শান্তিৰক্ষক পুলিচৰ বৰ বদনামৰ কথা হল যে তেওঁবিলাকে এই ঘটনাৰ একো উৱাদিহ উলিয়াব নোৱাৰিলে। নানা ঠাইৰ পৰা পকাবুধীয়া চতুৰ চাই চাই পুলিচৰ নানা বিষয়াক এই ঘটনাৰ মোৰ ধৰিবলৈ আনি লগাই দিয়া হল, কিন্তু মোৰ নেপাই সকলো বিমোৰ হৈ পেপুৰা লাগিল, ঘটনা গুৰিতে যেনে আছিল তেনেই অস্ফুট থাকিল।

বুদ্ধিনাথ চক্ৰবৰ্ত্তী নামে এজন ডেকা পুলিচ ইন্‌স্পেক্টৰে পুলিচৰ গৌৰৱ ৰক্ষা কৰিবৰ নিমিত্তে অৱশেষত সঙ্কল্প কৰি আগ বাঢ়ি ওলাল। তেওঁ চতুৰ্ভুজপুৰলৈ আহিয়েই লৰাটিৰ স্বভাৱ-চৰিত্ৰ চলন-ফুৰণ বন্ধু-বান্ধৱ ইত্যাদি বিষয়ৰ পুং বিচাৰি বিচাৰি পাতি পাতি কৈ অনুসন্ধান কৰি সকলো কথা গোটাই ললে। হঠাৎ এদিন তেওঁৰ মনত কিবা এটা ভাৱ খেলাই তেওঁ সামান্য মানুহৰ বেশ ধৰি চতুৰ্ভুজপুৰৰ গৱৰ্ণমেণ্ট হাই স্কুলৰ পণ্ডিত আমাৰ "পণ্ডিত মহাশয়ৰ" ঘৰত গধূলি আলহী ৰলগৈ। দৈৱক্ৰমে সেই দিনাই সেই সময়তে পণ্ডিত মহাশয়ৰ জন্মভূমি শ্ৰীহট্ট প্ৰদেশৰ পৰা দুজন আলহী আহি তাতে উপস্থিত ; সেই দুজনৰ লগতে লগ লাগি দাৰোগা বাবুও মিলি গল। আলহী দুজনে ভাবিলে, এওঁ পণ্ডিতৰ মানুহ, পণ্ডিতে ভাবিলে এৰেঁা এজন সেই দুজনৰ লগৰে আলহী। এই ভ্ৰমৰ আশ্ৰয়তে আশ্ৰয় লৈ তেওঁ কোনো পক্ষৰ প্ৰশ্ন বা সন্দেহ নজগোৱাকৈ তাতে ৰাতিটো কটালে। এতিয়া এই দাৰোগা আলহী-য়েইহে পণ্ডিত মহাশয়ে বান্ধনী-ঘৰত সোমাই কোৱা সেই "এহন বলিস না কেন বেটা ইঠা না সিঠা" কথা শুনি চমকি উঠিছে।

চতুৰ্থ আধ্যা

পাছদিনা আগৰ দৰে ৰাতি ৯ই আকৌ খাজনা-গাবাজৰ ঘৰিত ঘটং ঘটং কৰি "পণ্ডিত মহাশয়! গা ডাঙক, চাউল সিজাবৰ হল," এই বুলি ম বাব বিভিয়াই কলে। পণ্ডিত উঠি বান্ধনী ঘৰত পূৰ্ব্বৰতে

চাকি খপিয়াবলৈ লাগি গল। কিন্তু 'ভাতচৰুৰ কাষত সৌ দুটা ট-ট কৰে কি জ্বলিছে? ভয়াইও? চকুনে কি?—হয় চকু! কিহৰ চকু?—জানো! মোৰ কালে দেখোন চাব লাগিছে।' এই বিলাক প্ৰশ্ন আৰু উত্তৰ আপোনাৰ মনত আপুনি কৰি তেওঁ 'চাক্যনুসন্ধান' কাৰ্য্য স্থগিত ৰাখি থৰ লাগি বৈ আছে; এনেতে আমাৰ সেই চিনাকী কলীয়া বোন্দা মহাশয়ে 'মই মেকুৰীহে, মই মেকুৰীহে' এই কথা "মেও" "মেও" ভাষাৰে কৈ তেওঁৰ দুঃচিন্তা দূৰ কৰি দিলে। এই খিনিতে কোৱা আৱশ্যক যে মেকুৰী মহাশয়ে ৰাতি ৯ বজাৰ সময়ত পণ্ডিতৰ হাতত লগু-লাঞ্ছনা ভুগি বিৰক্ত হৈ নিতৌ সেই সময়তে বাণপ্ৰস্থী হবৰ সঙ্কল্প কৰি অলপ পাছতে আকৌ সেই ছোৱা সঙ্কল্পেৰে সৈতে পাহৰণিৰ গৰ্ভত নিক্ষেপ কৰে। এতিয়া সেই দেখিহে তেওঁ আগ ৰাতিৰ প্ৰতিজ্ঞাত পানী এচলু দি পণ্ডিতৰ ভাত-চৰুৰ প্ৰেম-পাশ ছেদন কৰিব নোৱাৰি লাজ-কাজ কাতিকৈ থৈ নিধক কাণ-কটাৰ দৰে বান্ধনী ঘৰত সোমাইছিলহি।

চাকি-চুকি লগাই পণ্ডিতে মজিয়াৰ নিত্যকৰ্ম্ম ফেৰা সমাপন কৰিবৰ উদ্যোগ কৰোঁতেই ঘৰৰ মুখৰ গোহালিঘৰত গৰুযোৰ হঠাৎ দুপ্‌দুপাই উঠিল আৰু লগে লগে পণ্ডিতৰ বুকুখনৰ পৰাও চপ্ চপ্ শব্দ উঠিল। সাহত ভিৰ দি বাহিৰলৈ ওলাই আহি জুমি-জামি পণ্ডিতে চায় কতো একো নাই। কেৱল এন্ধাৰ—এন্ধাৰ—এন্ধাৰৰ ওপৰত এন্ধাৰ। গৰুৰ ভৰিৰ দুপদুপনিৰ ঠাইত মুখৰ বাঁহ পাগুলনিৰ কৰ্কৰণিহে শুনা গল। ক্ষন্তেকৰ পাছতে পণ্ডিতে নিশ্চিন্ত হৈ ভিতৰ সোমাই আহি শ্ৰীবিষ্ণু স্মৰণ কৰি, "এহন বলিস না কেন্ বেটা ইঠা না সিঠা" মন্ত্ৰ মাতি মজিযাত পূৰ্ব্ববতে পদাঘাত প্ৰয়োগ কৰিবলৈ লাগিল।

গৰুৱে দুপ দুপাইছিল কিয়?—দাৰোগা বাবুৱে পণ্ডিতৰ কাৰ্য্যকলাপ গতি-গোত্ৰ আৰু তেওঁ কি কৰে কি মেলে, এইবিলাক জুমি চাবৰ অভিপ্ৰায়ে আহি গোহালিত সিহঁতৰ মাজত সোমোৱাহি বাবে। এতিয়া কঃ সিহঁতে দুপ্‌দুপাবলৈ এৰিলে কিয়?—গৰুৰ গৰু বুদ্ধি, সিহঁতে ভাবিলে ফটা-ঠঙা গাত লৈ এই ৯ বজা ৰাতি ই যেতিয়া আহি আমাৰ মাজত সোমাইছেহি, ইও এক গৰুৱেইহে; এতেকে গোলমাল নকৰি ইয়াকো আমাৰ মাজতে এচমকা ঠাই দি কুটুম্বিতা কৰা যাওক।

পঞ্চম আধ্যা

শনিবাৰ। দুপৰীয়া। পণ্ডিত মহাশয়ে ভাতৰ পাতত বহি ভাতৰ গৰাহ মাৰিব খুজিছে। বাহিৰৰ পৰা এটা দুটা মাত আহি তেওঁৰ কাণ পাইছেহি; সেয়া ভাতৰ গৰাহ মুখলৈ নিনি তেওঁ থমক খাই ৰল। দ্বিতীয়বাৰ দুটা মাতটো স্পষ্ট হৈ থৰ দুটা আকাৰ ধাৰণ কৰি মাতিলে "পণ্ডিত মহাশয়, ওলাই আহক।". পণ্ডিতে চুৱা হাত এধা ধোৱা কৰি লগুণডালত খামোচ মাৰি ধৰি গায়ত্ৰী জপিবলৈ ধৰিলে। আকৌ এবাৰ হাতুৰীৰ মাৰ পৰাদি তেওঁৰ কাণত পৰিল "তৎক্ষণাৎ ওলাই আঁহা।" থৰক্‌ঢৰক্‌কৈ ধাৰে-ছালে খুন্দাখুন্দলি খাই আহি পণ্ডিতে দেখে বুদ্ধিনাথ চক্ৰবৰ্ত্তী দাৰোগা আৰু দুটা কনিষ্টবল। এটা কনিষ্টবলৰ হাতত এডাল জিঞ্জিৰি, এটাৰ হাতত এখন কোৰ।

দাৰোগা—"এইবোৰ কি কথা?"

পণ্ডিত— "হজুৰ —হজুৰ —ওঁঃ—আপুনিতো—গো—গোপাকে জানেই আৰু মই নো কি-ক-কম?"

দাৰোগা—"তুমিও কব লাগিব। নকলে নহব।"

পণ্ডিত—"কব লাগে হজুৰ ক—কওঁ। সেই ভাতে আছে।"

দাৰোগা—"কত আছে।"

পণ্ডিত—"মজিয়াৰ তলতে।"

দাৰোগা—"সকলো কথা ভাঙ্গি কব লাগিব, এই দৰে কলে নহব।"

পণ্ডিত—"ভাঙি কবলৈ হজুৰ নাই, গোলামেই।"

দাৰোগা—"কি গোলামেই? কি গোলামেই? কিয় সকলো কথাৰ সন্তেদ নকয়? মোহন চিং! ইস্‌কো পাকৰাও—"

পণ্ডিত—"কওঁ হজুৰ, কওঁ হজুৰ, কওঁ হজুৰ। জমিদাৰ বাবুৰ লৰাটোৱে মই স্কুলত সিহঁতৰ শ্ৰেণীলৈ পঢ়াবলৈ গলে সদাই মোক, 'পণ্ডিত মহাশয় বলুন ইঠা না সিঠা?' এই বুলি জোকায় ঠাট্টা কৰে। সেই কথাই মোৰ অন্তৰত শেল সোমোৱাদি সোমাই মোক সদায় বৰ যাতনা দি আছিল; কি কৰিম, প্ৰতিশোধ লবৰ একো উপায় নেপাই স্কুলত মনে মনে আছিলো। কিন্তু প্ৰতিশোধ বহ্নি সদায় মোৰ মনত দপ দুপ্ কৰে জ্বলি আছিল। পূজাৰ বন্ধ হবৰ দিনা সি গধূলি মোৰ ওচৰত ঘৰলৈ যাবলৈ বিদায় লবলৈ আহিছিল। মই চেলুপাই 'বহুত দিনলৈ আতৰ হৈ যাবি, আহ বোপাই জলপান অলপ খাই যা,' এই বুলি তাক বান্ধনী-ঘৰলৈ মাতি আনি হেচা মাৰি ধৰি মুখত কাপোৰেৰে সোপা দি ডিঙিটো মুচৰি ভাঙি মজিয়াতে গাত খানি পুতি থলো। আৰু হজুৰ মোৰ কবলৈ একো নাই।"

এই কথা শুনি পণ্ডিতক হাতকেৰোৱা দি দাৰোগাই "লাচ" টো খন্দাই উলিয়াই কেচাৰিলৈ লৈ গল। সকলো মানুহে দেখি অবাক। অন্ত।

সামৰণি

বিদুৰা—"আজি পুৱাই ধৰ ফাটকৰ ওচৰত ইমানবিলাক মানুহ গোট খাইছে কিয়হে কাতিয়া ককাই ?"

কাতীয়া—"পাষণ্ড সত্তাই নাৰকী মানুহৰবী গেই ছিলঠীয়া 'পণ্ডিতক' টেটুত খোৰোচা লগাই তাতে আৰি থৈছে নহয়, তাকে চাবলৈ।"

মালতী

প্ৰথম আধ্যা

"হৰি হৰি। মোৰ পৱিত্ৰ কুলত কলঙ্ক দিবলৈ, বোপা-ককাৰ নাম অনাবলৈকে মোক ঈশ্বৰে জীয়াই ৰাখিছিল। কটা,—লেতা—আহোম—" এই বুলিবলৈ পাওঁতেই ডেকাবৰুৱানীয়ে "সৰ্ব্বনাশ। কি কৰিব খুজিছে। মনে মনে থাকক।" বুলি জয়ৰাম ডেকা বৰুৱাৰ মুখত তুলা যেন হাতেৰে সোপা মাৰি ধৰিলে। ভেটো-দিয়া জানৰ পানীৰ নিচিনাকৈ ডেকা বৰুৱাৰ মুখৰ কথাৰ সোতে ডেকা বৰুৱানীৰ হাতৰ ভেটা পাই তিনি গুণ কোবেৰে কল্কল্কৈ দুচকুৰেদি বৈ তেওঁৰ গা বুৰাই দিলে।

ডেকা বৰুৱানী—"আৰু ৰক্ষা নাই, চুচেংফা সৰ্গদেৱৰ যেতিয়া মোৰ ছোৱালীত চকু পৰিল, আৰু ৰক্ষা নাই। নিদিলে আমাৰ আলুৰে-কলা-পুনিয়ে তুলিব, পেটৰ পোৱালীকো ছিৰি ছিৰি কাটিব।"

জয়ৰাম—"ছিৰক, ফাঁচীত দিয়ে ৰৰণীত দিয়ে যি কৰে কৰক, তেওঁ মই মোৰ পেটৰ পোৱালীক আপোন হাতে মেলেচৰ হাতত সঁপিব নোৱাৰোঁ।"

ডেকাবৰুৱানী—"অধৰমী মেলেচ ৰজাৰ দেশত থাকিলেই এই দশা। মই আগৰ পৰা আপোনাক চেতাই আছিলো যে মোৰ ৰূপহী ছোৱালীটী লৈ গুৰু-গৌৰৱ নমনা লুভীয়া আহোমৰ দেশত নেথাকোঁ। ভাটিয়াই যাওঁগৈ। আপুনি কলে 'ঋত পুৰুষীয়া ঘৰ বাৰী এৰি কেনেকৈনো বিদেশলৈ যাওঁ ? মোৰ আই মালতী সৰ্গৰ তৰা, কোনেও চুকি নেপায়, একো ভয় নকৰিবা'। এতিয়া কি হব ?"

জয়ৰাম—"বলা, এতিয়াও ছোৱালীটী বুকুত বান্ধি লৈ ৰবলৈকে পাওঁ তলৈকে পলাই গুছি যাওঁগৈ।

ডেকাবৰুৱানী—"থালি-ভগা জুয়ে খেদাদি খেদিব ; ৰজাৰ ভঁড়িৰ হাতৰ পৰা লো কৰৰাত পলাই সাৰিব পাৰিবনে ? আকৌ আমি সাৰিলেও বঙহ-পৰিয়াল যত যি আছে এটাইবিলাকৰে ধৰি আনি ডোখৰ ডোখৰকৈ কাটিব। আমাৰ দোষত বংশটোৰেই নিৰ্ম্মূল হব।"

জয়ৰাম—"তেনেহলে ?"

ডেকাবৰুৱানী—"তেনেহলে নিজৰ ৰক্ষা আৰু বঙহ-কুটুম-পৰিয়ালৰ ৰক্ষাৰ নিমিত্তে ৰজাক ছোৱালীটী নিদিলে আৰু উপায় কি ?"

জয়ৰাম—"আই মালতী। তোৰ পিতৃ-স্নেহ, মাতৃ-স্নেহৰ, তোৰ পিতৃ-মাতৃৰ পৰা এই প্ৰতিদান।" এই বুলি জয়ৰাম ডেকাবৰুৱাই হুকুহুক কৰে কান্দিবলৈ ধৰিলে।

দ্বিতীয় আধ্যা

মালতীয়ে ৰান্ধনী ঘৰত বহি ভাত ৰান্ধিছিল। ডেকাবৰুৱা ডেকাবৰুৱানীয়ে মাৰল ঘৰত বহি মালতীৰ অসাক্ষাতে এইবিলাক কোৱামেলা কৰিছিল। ৰান্ধনী ঘৰ ওচৰতে, গতিকে সোপাই মালতীৰ কাণত পৰিল। কথা কাণত পৰিয়েই মালতীৰ মূৰ ঘূৰি গল, চকুৰে ধূৱলি-কুৱঁলী দেখিলে, হাতৰ হেতা সৰি পৰিল। অলপ বেলি এই অৱস্থাত থাকিয়েই হঠাৎ কি এটা ভাবি ভয়ানক স্থিৰ হৈ সোণৰ পদুম যেন হাত যুৰি মূৰৰ ওপৰলৈ তুলি "হে প্ৰভু মোক এই সঙ্কট সময়ত ৰাখা।" ইয়াকে বুলি অতি সকৰুণ স্বৰেৰে পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰিলে—

"শুণ্ডে মেৰাই পদ্ম গোট ওপৰক তুলি।
গজেন্দ্ৰ শৰণ লৈলা ত্ৰাহি হৰি বুলি।"

তৃতীয় আধ্যা

মালতী—"আই। তুমি মোক অথনিৰে পৰা কি কৰবলৈ উচ-পিচাই আছা অথচ কব পৰা নাই, মুখৰ কথা মুখৰ ভিতৰতে লুকাইছে মই বুজিছোঁ। আই। তোমালোকে দুখ বেজাৰ নকৰিবা, বৰুৱাৰ ঘৰৰ জীয়াৰী পিতৃ-মাতৃৰ কল্যাণ আৰু বংশ ৰক্ষাৰ নিমিত্তে কলঙ্কিনী হবলৈকো পিছ নোহোঁহকে।" এই চোকা কথা কেষাৰ মাকৰ কোমল অন্তৰত কলাপাতৰ-ঠোৰত কাঁড় সৰকাদি সৰকি গল।

চতুৰ্থ আধ্যা

গান্ধকলাই-পৰ্ব্বতৰ গান্ধকলাই ফুটি গোন্ধ ভোটৰ পৰ্ব্বত বিয়পি পৰিলে পদুমবীয়াবিলাক বেনু-কাঁড়,

যাঠি-জোং লৈ যেনেকৈ তাৰ ফাললৈ লৰ ধৰে, মালতী ৰজাৰ কুৱঁৰী হব, এই খাতৰি ফুটি তাৰ গোন্ধ গৰাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়াদান দিয়া মাত্ৰকতে, সেইদৰে গৰগঞা প্ৰজাই নানা ৰকম কথাৰ যাঠী জোং-ধেনু-কাঁড় লৈ জয়ৰাম ডেকাবৰুৱাৰ ঘৰলৈ লৰিবলৈ ধৰিলে। দুপৰী সাজ-তোলানী আহিছে ইযাকে কবলৈ :—“তোক কোলাত লৈ তুলিলো আই, এতিয়া সু-কপালৰ গুণে ৰাজৰাণী হলি, মই আৰু কটনাকাটি ভাত নেখাওঁ।” নীলাই আৰু বকুলী আহিছে :—“একেলগে সৰুৰে পৰা ডাঙৰ দীঘল হলোহঁক মালতী, আমি চুকৰ ভেকুলী চুকতে পৰি থাকিলো, কপালৰ বলত তই হলি ৰজাৰ কুৱঁৰী” এই কথা কবলৈ। “ক”ককায়ে কবলৈ আহিছে, “আইটি। তই ডাঙৰ মানুহ হলি, সখীগৰা পিথৱীৰ ৰাজেশ্বৰী হলি, এতিয়া আমালৈ নেপাহৰিবি, বিষয়-বাবনা এখন দি এঠাইত গুজি-মেলি ৰাখিবি।” “খ” পাচনীয়ে ভয়ত তৎনৎ এৰি, তাহানি মাটি এড়ৰাত লাগি মিছা কথাতে ডেকাবৰুৱাৰে সৈতে দণ্ড কৰাৰ বাবে, ডেকাবৰুৱা-ডেকাবৰুৱানী আৰু মালতীক, গাইপতি ক্ষমা প্ৰাৰ্থনা কৰিবলৈ আহিছে। “ঙ” বৰুৱাই মখুৰা পাগ মাৰি “কি কথাটো হল! আহোমে আমাৰ বংশতো হাত মালিলে। এই লাজ অপমান ক’ত থওঁ?” এই কথা ডেকাবৰুৱাৰ কাণে কাণে কৈ ইস্-ইস্ আস্-আস্ কৰি মৰণান্তিক বেদনা প্ৰকাশ কৰি আছেহি। খোৰা ‘দ” খোৰা বৰুৱাই এবেলাৰ খাট লাখুটি লৈ খোৰাই খাটকুৰি খাই আহি ডেকাবৰুৱাৰ আগত নিজৰ দুৰ্দ্দশাৰ কথা, আৰু ডেকাবৰুৱা কপালী পুৰুষৰ সুদশাৰ কথা মাখি-মুখি কব লাগিছেহি। খিকাই বাপু পেট কটা ‘বই’ ষৈণীযেকৰ সৈতে দন্দ কৰি খঙত আপোনাৰ পেটকে আপুনি কাটি ছমাহ শুকনি-পকনি খাই খিদুৰৰ শয্যাত পৰি আছিল, হঠাৎ এই খাতৰি শুনি পেটত পানী গামোচা বান্ধি আহি ডেকাবৰুৱানীৰ আগত গেন্না কি লেৰ্‌লেখাৰ লাগিছেহি শুনা। “ঢ” বৰা আৰু “ঞ” বৰাণীয়ে গোট খাই “জ্ৰ” হৈ মালতীৰ আগত মেলা বকনাৰ লেখ জোখ নাই।

পঞ্চম আধ্যা

“ৰজাৰ লেজু মেলিব পাৰি, চপাব নোৱাৰি।” আমাৰ কথাৰ লেজু কিন্তু তেনে নহয়, মেলিবও পাৰি, চপাবও পাৰি, ঠাই বুজি। ঠাইৰ নাড়ীভাল টিপি চালেই গম পোৱা যায়, যে ইমানতে আমাৰ কথাও চপাবলৈ কাৰবাৰ নকৰিলে অৱস্থা ত্ৰিদোষীৰ কাজে চানে; পণ্ডিতে সিয়েই বিধেয়। ৰাজত অমুক হল, তমুক হল, তমুকৰ পাছত আকৌ অমুক হল, হৈ তাৰ পাছত আমাৰ মালতী কুৱঁৰী ৰজাৰ ঘৰলৈ গল, গৈ শোৱনী-ঘৰত সোমাবৰ কাল হল। মালতীয়ে সৰ্গদেৱলৈ জনাই পঠিয়ালে যে “সৰ্গদেও! বেটীৰ লাজ লাগে, বেটী শোৱনী ঘৰত সোমোৱাৰ আগেয়ে যেন শোৱনী-ঘৰৰ চাকিবিলাক নুমুৱাই দিয়া হয়, বেটীৰ এই প্ৰাৰ্থনা।” ন কুৱঁৰীৰ প্ৰথম ন-প্ৰাৰ্থনা পূৰণ কৰি কৃতাৰ্থ হবৰ প্ৰথম সুবিধা পাই ৰঙত চুচেংফা সৰ্গদেৱে ঘৰ-ঘৰৰ ভিতৰত দুৱাৰ মাৰি কেইবাৰ ওভোতা খৰ মাৰিলে জনা নগল, কিন্তু কুৱঁৰীৰ প্ৰাৰ্থনা তেওঁৰ কাণত পৰিবলৈ আহোঁতেই আদৰাটতে মঞ্জুৰ হল।

ঈশ্বৰৰ কি অভিপ্ৰায় কোনে জানে; এন্ধাৰ শোৱনী ঘৰৰ শোৱাপালীত পৰি ন-কুৱঁৰীলৈ খাট চাই থাকোঁতেই সৰ্গদেৱৰ মূৰত থকা ফটিকাৰ বাগিয়ে হাত মেলি ঠাইতে লাহেকৈ চকুৰ পিৰিকতি দুটা মুদাই ধৰিলে, আৰু আঠুৱাৰ চুকত কলাঘুমটিয়ে লুকাই চেগ চাই আছিল, চল পাই খপৰকৈ সৰ্গদেৱক হেঁচা মাৰি ধৰিলে। কাণ্ডখন দেখি দুই ভাই নাসিকা-লৱ-কুশে বক্সাত সুৰ ধৰি ঘট ঘট ৰামায়ণ গান কৰিবলৈ লাগি গল। মালতী কুৱঁৰীয়ে ঈশ্বৰৰ চৰণত আপোনাক সমৰ্পি এন্ধাৰে-মুধাৰে শোৱনীঘৰ সোমাই খুপি খুপি শোৱাখাটৰ ফাললৈ অনুমান কৰি আহি আছে, এনেতে হঠাৎ সৰ্গদেৱৰ তামোলৰ বটা-শৰাইত উজুতি লাগি তেওঁ হামকুৰি খাই পৰিল আৰু বঁটা শৰাই ভোগজৰা পিকদান আদি যি আছিল সেইবিলাকে হৰ্‌হৰ্ কৰে পৰি এটা মহাৰোল উঠিল। খকমকৈ সাৰ পাই টোপনি আৰু ফটিকাৰ জালত মহাৰজাই, তেওঁকে কোনোবা শত্ৰুৱে আক্ৰমণ কৰিবলৈ আহিছে, ইয়াকে স্থিৰ কৰি, খপ্ কৰে পাটিৰ কাষত থকা তৰোৱাল খুলি লৈ মালতীৰ বুকুত ধহুৱাই দিলে। দি অতাইয়েই চেতনা হল! দেখিলে কি সৰ্ব্বনাশ কৰিলে!! সকলো আশাৰ মূৰত বজ্ৰপাত!!!

ষষ্ঠ আধ্যা

ৰজাক কেতিয়াকৈ ধৰিবলৈ পাওঁ, এই কথা ভাবি ভাবি টোপনিৰ চকুত টোপনি নাইকিয়া হৈছিল, এই হৃদয় বিদাৰক ঘটনাৰ খাতিৰ পৰা সেই টোপনি আৰু সৰ্গদেৱৰ গৰগাঁৱৰ বাহৰ এৰি পলাই পত্ৰং দিলে। ইয়াৰ পিছত নিতৌ মাজ-নিশা শোৱনী ঘৰৰ মুধত এটা বিকট হাঁহি আৰু টকালিযে সৈতে তিৰোতাৰ মাতেৰে এই কথাষাৰ সৰ্গদেৱে শুনিবলৈ পায়—“কেনে পালি? লোভ, অত্যাচাৰ আৰু পাপৰ এই প্ৰতিফল!” চুচেংফাই গৰগাঁও আৰু সেই টকালি এৰি ৰংপুৰ বাহৰলৈ শান্তি আৰু

টোপনি খিচাবি আছিল, কিন্তু ৰংপুৰে সেইবিলাক দিয়া দূৰত থাওক, আকৌ দিনে ৰাতিয়ে সমানে সেই কথা হাঁহি আৰু টকালি তেওঁক আনিহে দিলে। পণ্ডিত ব্ৰাহ্মণসকলৰ পৰামৰ্শত দিখৌৰ পাৰত চুচেংফাই 'মহেশ্বৰ' নামে এটা দৌল সজাই, শিৱ স্থাপন কৰি দিলে, ব্ৰাহ্মণ সজ্জনক দান-দক্ষিণা আদি অনেক কৰিলে, কিন্তু তথাপি সেই হাঁহি টকালি আৰু কথাৰ হাত তেওঁ সাৰিব নোৱাৰিলে। আজিও চুচেংফাৰ মৈদামৰ ওপৰত ৰৰা আউসীৰ মাজ নিশাত সেই হাঁহি, টকালি আৰু "কেনে পালি? লোভ, অত্যাচাৰ আৰু পাপৰ এই প্ৰতিফল।" এই কথা শুনিবলৈ পোৱা যায়।

সেউতী

প্ৰথম আধ্যা

সেউতী যে সেউতীয়েই। বোহ নাই, ঠেহ নাই, খুন নাই, পেচ নাই, গোটেই দিপ্‌লিপ্ ছোৱালীটি। কথাত মানুহ ভোল যায়, মাত শুনি থাকিবৰ মন যায়, বুকুত ললে বুকু জুৰায়, চাই থাকিলে চকু ৰয়, এনেটি ছোৱালী সেউতী। মাকৰ সোণ চেকুৰা, বাপেকৰ আলাসৰ লাড়ু, ককায়েকৰ দেহলাও আৰু উমলিবৰ লগ সেউতী। বয়স ৯ বছৰ।

মাক-বাপেকৰ চিন্তা হ'ল, কেনেকৈ সেউতীক বিয়া দিওঁ? ক'ত ভাল লৰা এটা পাওঁ? কত ঠাইৰ পৰা কত ভাল লৰাৰ সোৰঁৰণী আনি আনি চোৱা হ'ল, তেও একোকো ঠিক কৰিব পৰা নহ'ল। কাৰোৰে সৈতে যোৰা নাহে; কোনোৰ ঘৰখন ভাল নহয়—ভগাৰ লক্ষণ। কোনোৰ মাক নাই, মাহীমাক আছে; কোনোৰ ঘৰত খাদকুখাদ আদিৰ চেকা আছে; কোনোৰ খোৱালোৱাৰ ধৰ বিচাৰ নাই, কোনোটো ঠেঙা পিন্ধা; কোনোটো চুলি-কটা; কোনোটো সন্ধ্যা-নকৰা; কোনোটো পূজা-নকৰা; কোনোটো দাড়ি বা নুৰ-ৰখা; কোনোটোৰ ৰক্ত পিত্তৰ ব্যাধি; কোনোৰ আকৌ সঞ্চিত গ্ৰহণী; গতিকেই সেউতীলৈ দৰা নহল জানিবা পৰ্বতৰ কাছু কণীহে হ'ল। যি হওক, আৰু সৰহ দিন দৰাৰ একাল নেথাকিল; সেউতীয়ে যাৰ তিন খাই খাই আছিছিল তেওঁ ওলাল। সেউতীৰ দেউতাকে যেনে বিচাৰিছিল এওঁ তেনেই; যথা—সন্ধ্যা-পূজা কৰা, টিকনি-ৰখা, নিনুৰ নিৰোগী সদ্ব্ৰাহ্মণ; লুকাই চেলেউটো খোৰাঁখোৱাটো খায় কিন্তু সি নধৰ্ত্তব্য; কাৰণ সি লুকাই। সৰৰ সুলক্ষণীয়াটি আকৌ বৈকুণ্ঠতহে মিলে। বৈকুণ্ঠতো নো সদায় মিলে ক'ত, তাতো কাঁপৰে-খোৱা আছে বুলি লোকে কয়, এতেকে এই দৰা "বাহাল"।

দ্বিতীয় আধ্যা

বিয়াৰ দিন আদি সকলো ঠিক হ'ল; মাকে সেউতীক মাতি আনি কোলাত লৈ মূৰ শুঙি কলে—"আই, তোৰ অমুক দিনা বিয়া হব নহয়।"

সেউতী "আই সঁচা নে? কি বিয়া? আমাৰ 'দৰা-কন্যাৰ' বিয়াৰ নিচিনা বিয়ানে ওঁ আই?"

মাক—"এৰা, তেনেকুৱাই। তই কন্যা হব লাগিব, আৰু এটা ল'ৰা আনি দৰা পাতি বিয়া দিম?"

সেউতী—"ঢোল বজাব নে আই?"

মাক—"ঢোল খোল মৃদং কালী পেঁপা এটাইবোৰ বজাব; পানী তুলিম, তোৰ গাত মাহ-হালধি ঘহি নোৱাম, নাম গাম।"

সেউতী—"আই, ময়ো নাম গাম আৰু নোৱাম দেই?"

মাক—"তই কি নোৱাবি, আমিহে তোক নোৱাম। বিয়া দি তোক উলিয়াই দিম, দৰাই তোক নিজৰ ঘৰলৈ লৈ যাবগৈ, আমাক এৰি আৰু তই যাবিগৈ।"

সেউতী—"আকৌ পিছে তোৰ ওচৰলৈ উভতি আহিম, নহয় নে আই?"

মাক—"উভতি আহিবি কি? আমাক এৰি একেবেলিয়েই যাবিগৈ। সেইখনহে তোৰ আপোন ঘৰ হব।"

সেউতী—"আই তোক একেবেলিয়েই এৰি যাব লাগিব? তেনেকুৱা বিয়া তেন্তে মই নকৰাওঁ।"

এই বুলিয়েই সেউতীৰ চকু চুলচুলিয়া হৈ গ'ল। মাকে আকৌ বুজাই-সুজাই কলত, সেউতীয়ে সুধিলে, "আই তোৰো এনে বিয়া হৈছিল নে?"

মাক—"মোৰো হৈছিল"

সেউতী—"মোৰ নহলে নহয় নে?"

মাক—"নহয়।"

সেউতী—"থাকু তেনেহলে হওক, কি কৰিম।"

তৃতীয় আধ্যা

মহাসমাৰোহেৰে তলৰ মাটি ওপৰকৈ সেউতীৰ বিয়া হৈ গ'ল। থাইবিয়াৰ পিছত দৰা-ঘৰলৈ ছোৱালী, এতিয়াই ওভতাই পঠিয়াই দিয়া যাব

বুলি, লৈ গ'ল। বেলি দুপৰ হৈ গ'ল, সেউতীৰ মাক-বাপেকে পানী এটোপাকে খোৱা নাই, বৈ আছে, ছোৱালীটি এতিয়াই আহিব, একেলগে খাম বুলি। কিন্তু ছোৱালীটি নাহিল। দুপৰৰ পাছত তিনিপৰ আহিল, ছোৱালীটি নাহিল। সন্ধ্যা আহিল, মাকে খুদ-কণ এটিকে মুখত নিদিয়াকৈ পদূলি মূৰলৈ চাই আছে, ছোৱালীটি নুভতিল। অৱশেষত দৰা ঘৰলৈ মানুহ পঠিয়াই দিলে ছোৱালিটি লৈ আহিবলৈ। মানুহ উভতি আহি বতৰা কলে—"ছোৱালী নপঠিয়ায় আৰু।" মাক-বাপেকৰ মূৰত আকাশী চৰগ ভাগি পৰিল। আকৌ কাকূতি-মিনতি কৰি মাক-বাপেকে কৈ পঠিয়ালে, ছোৱালীটি পঠিযাই দিয়ক, দিনৰ-দিনটো তাই খাবলৈ নেপাই দুখ পাইছে। আকৌ উত্তৰ আহিল "ছোৱালী নপঠিয়াওঁ। আমি ছোৱালী শিকাই বুজাই ভালকৈ লব লাগে। ছোৱালীৰ ওপৰত তোমালোকৰ এতিয়া কোনো অধিকাৰ নাই। সৰু মানুহৰ ছোৱালী আমি বিযা কৰাইছো যেতিয়া আৰু মাক বাপেকৰ ঘৰত ভাত খাবলৈ আমি পঠিযাব নোৱাৰোঁ।'

এই সম্বিধান পাই সেউতীৰ মাক-বাপেক কান্দি-কাটি বিয়াকুল। শেষত আকৌ নানাপ্ৰকাৰে কাৰৌ-কোকালি কৰি দৰা-ঘৰলৈ মানুহ পঠিয়ালে; কিন্তু এইবাৰ উত্তৰত ফটা-জোতা এপাট আহিল।

চতুৰ্থ আধ্যা

মানুহে পাতে ঈশ্বৰে ভাঙে। বিয়াৰ এমাহ মানৰ পিছতে ঘুনুক ঘানাক খবৰ ওলাল যে অমুকে সম্বন্ধ লগা ছোৱালীজনীক বিয়া কৰি আনিলে। আজি কালিকৈ সেই ঘুনুক-ঘানাক খবৰেই গঁচা-গঁচিকৈয়ে ডাঙৰ-দীঘল শকত আৰত হৈ ভীমাকাৰ হল। এতিয়া আৰু কাৰ সাধ্য তাৰে সৈতে গদাযুদ্ধ কৰে? প্ৰমাণ হৈ গল, যে গঁচাগঁচিকৈয়ে ছোৱালী সম্বন্ধ-লগা। দৰা-ঘৰৰ মূৰতো বজ্ৰপাত, ছোৱালী-ঘৰৰ মূৰতো বজ্ৰপাত। পণ্ডিতে মুঠিয়ে মুঠিয়ে টকা গঙ্গাজল যেনকৈ পিলি শূলপাণি-গঙ্গাজল চাই ব্যৱস্থা দিলে, এইজনী ছোৱালী পৰিত্যাগ কৰি আকৌ নতুনকৈ ছোৱালী বিয়া কৰা বিধেয়। দৰাৰ ঘৰৰ পৰা ছোৱালী মাক-বাপেকৰ ঘৰলৈ পঠিয়াই দিয়া হল। সম্প্ৰতি শাপেই বৰ হল; বুকুৰ ছোৱালীটি বুকুত পাই, মাকৰ বুকু জুৰাল, সেউতীয়েও আকৌ মাকৰ কোলাত মুখখনি সুমাবলৈ পাই স্বৰ্গ চুকি পালে। তাইৰ গাত তত আহিল। সেউতীৰ খবৰেই নাই, কি কাল সাপে তাইক খোঁট মাৰিলে। বপুৰীয়ে মাকৰ ওচৰ পায়েই জাপ মাৰি কোলাত উঠি কৈছে, "আই, তই কৈছিলি মহয়, মই একে-বাৰেই তোক এৰি যাম বুলি, কজা মই দেখোন আকৌ তোৰ ওচৰলৈ আহিলো?"

পঞ্চম আধ্যা

এই অৱস্থাতে এদিন দুদিনকৈ মাহেক গল, এমাহ দুমাহকৈ বছেৰেক গল, এবছৰ দুবছৰকৈ চাৰি বছৰ গৈ পাঁচ বছৰে কাণ পাতিলে। দৰাৰ মাক আৰু ঘৰতে বাঁৰী হৈ থকা বায়েকে দৰাক আকৌ নকৈ ছোৱালী বিয়া কৰাই দিলে। নকৈ ছোৱালী বিয়া কৰোৱা দেখি সেউতীৰ মাক-বাপেকৰ মনত যি একেৰা আশাৰ ছাঁটি আছিল, সেই কেৰাও নাইকিয়া হল। সেউতীয়েও এতিয়া "বিয়া কি বস্তু, স্বামী কি বস্তু, আৰু নিজৰ কেনে ভয়ানক অৱস্থা ঘটিছে, লাহে লাহে সোপাকে বুজিব পাৰিলে। মাকৰ হতুৱাই সেউতীয়ে বাপেকক কোৱালে যে তেওঁ স্বামীৰ ঘৰলৈ যাব।

বাপেকে চকুলো টুকি কলে, "আই, তোকতো সিহঁতে এৰিলে, তই গৈ ক'ত থাকিবি?"

সেউতী—"দেউতা, মই তেওঁৰ ঢেকী হৈ ঢেকি-শালত পৰি থাকিম, মোক পঠিয়াই দিয়ক।"

এই কথা শুনি মাক-বাপেক দুয়ো হুক্ হুক্ কৰে কান্দিবলৈ ধৰিলে। সেউতী কিন্তু কামাখ্যাৰ ভুবনেশ্বৰীৰ মন্দিৰটোৰ নিচিনা গম্ভীৰ স্থিৰ আৰু অটল। দেউতাকে ছোৱালীৰ ইচ্ছা জনাই নানা স্তুতি মিনতি কৰি এই কথা দৰা-ঘৰলৈ কৈ পঠিয়ালে। দৰাৰ বাঁৰী বায়েকে উত্তৰ দি পঠিয়ালে—কৰবাৰ যদি কোনোবাটো গিৰীয়েকৰ ঘৰলৈ আহিবৰ মন হৈছে আহক, মোৰ ঘৰলৈ হলে আহিব নোৱাৰে।"

ইযাৰ পাছত সেউতীৰ বাপেকে মনৰ দুখত নিৰুপায় হৈ জীয়েকে খোৱাকী পাবলৈ কাছাৰিত মকৰ্দ্দমা কৰিলে। দৰাই "জবানবন্দি" দিলে, "মই ছোৱালী এৰা নাই, আজিয়েই আনিম।" মকৰ্দ্দমা একে ফুতে উৰি গল।

ষষ্ঠ আধ্যা

গঁচাগঁচিকৈ গিৰীয়েকৰ ঘৰলৈ আহি সেউতীৰ ঘৰ ঢেকি শালৰ চালিত, কাম—গোবৰ পেলোৱা, ছুৱা-ধোৱা; পদ—বেটী-বান্দী হল। বাইদেওৰ হুকুম:—পাহৰিও হঠাৎ সেউতীয়ে স্বামীৰ কাষে চাব নেপাব, আৰু স্বামীৰ এখন বাটৰ ওচৰ চাপিব নেপাব। সেৱাৰ প্ৰত্যেক স্বামীজন তেওঁ ৰাখুৱহে; আপোনাৰে

স্ত্ৰী চকুৰে নেদেখাত আছিল, মনত সিমান তেওঁৰ আঘাতো নেলাগিছিল, কিন্তু এতিয়া চকুৰ আগতে, নন্দন কাননৰ সেউতী পুলিটিৰ এনে বুকু-ফাটি-যোৱা দুখ দেখি তেওঁ অস্থিৰ হৈ পৰিল। লাহে লাহে লুকাই-চুৰকৈ স্বামী-স্ত্ৰীৰ মিলন হৈ দুখ, বেজাৰ, প্ৰেম, স্নেহ, সহানুভূতি প্ৰভৃতি বিশ্ব-ব্ৰহ্মাণ্ডখনেও নধৰা মনৰ ভাববিলাক দুইৰো ভিতৰত জনোৱা-জনি হবলৈ ধৰিলে। সেউতীৰ পক্ষে নৰকও স্বৰ্গ হল।

দুৰ্দ্দশীয়া মানুহৰ শত্ৰু গোটেই পৃথিৱী। আন কি ঢেকিশালৰ ভগা চাল-বেৰেও শত্ৰুতাচৰণ কৰি যাকে লগ পায় তাকে কবলৈ ধৰিলে যে স্বামীয়ে নিতৌ লুকাই সেউতীৰে সৈতে সাক্ষাৎ কৰে। লাহে লাহে এই কথা ঘৰৰ সকলোৱে গম পালে। সহজেই বুজিব পাৰি, যে ইয়াৰ যাৰে দৰাৰ মাক, বিশেষকৈ আয়েকৰ হাতত সেউতীৰ কি লাঞ্ছনা ঘটিল। নিজৰ ল'ৰাক হাক দি ৰাখিব নোৱাৰি, পৰৰ দুখুনী ছোৱালীক, পিঁপৰাচীহঁতে যি পাৰে কৰিবলৈ লাগিল। যমৰ যাতনা কাক কয় এই সংসাৰতে সেউতীৰ বোধগম্য হল।

সপ্তম আধ্যা

মাক (দৰাৰ)—"কি হব, মই ৰিচুটি, গোৱে-পোৱে তল যোৱা কথা। এতিয়াই এটায়ে বিৰিবাৰা লগাইছে, আৰু ইকাণ-সিকাণ সহস্ৰকাণ হৈ কথা বাঢ়ি গলেতো মানুহ ঘৰ জীয়ন্তে মৰিলো।"

বায়েক (দৰাৰ)—"এই শাখিনী জনীৰ শিপা নুতুলিলে আমাৰ ৰক্ষা পৰিৱৰ কোনো উপায় নাই। মই তাৰ উপায় উলিয়াইছোঁ, গোসাঁনীৰ অনুগ্ৰহত সকলো সুকলমে হব। আই, তুমি কালীপূজা এভাগলৈ আগ কৰা।"

মাক—"গোসাঁনীলৈ মই এটা মহ বলি আগ কৰিছো। আই মাতৃয়ে মোৰ ঘৰখন এই যাত্ৰাৰ পৰা ৰক্ষা কৰক। কিনো উপায় উলিয়াইছ মোক কচোন?"

বায়েক—"একেবেলিয়েই জানিবা, এতিয়া থাওক।"

ইয়াৰ পাছত সেই দিনা ৰাতিয়েই সকলোৰে চুৰা পাতৰ পৰা চুছি-মেলি গোটাই দিয়া ভাতৰ পাতত বহি সেউতীয়ে প্ৰথম গৰাহ ভাত সানি মুখত দিয়েই জিভা কোচ খাই গৈ "স্বামীগুৰু" বুলি লুটি খাই পৰি একেবেলিয়েই "ঘৰখন ৰক্ষাৰ" উপায় কৰি গুচে। এই ঘটনা ঘটা জতোৱাৰ পাছত ওচৰ-চুবুৰীয়া ভালেমান জনা-শুনা ধাৰ্ম্মিক মানুহে, আপোন আপোন জুহালৰ কাষত বহি আপোন আপোন গৰুৰ মতামত প্ৰকাশ কৰা শুনা গৈছিল, যে প্ৰকৃত পক্ষে ছোৱালী সম্বন্ধ-লগা নহয়।

ঘৰ-পতা কৰা

(উপকথা)

প্ৰথম আধ্যা

সত্যকালত চৰাই-চিৰিকতি পহু-পতং সকলোৱে কথা কব পাৰিছিল, আৰু সকলোৰে মাত সকলোৱে বুজিছিল। আজি সত্যযুগৰ কণমান সাধু এটি আমি পাঠকসকলৰ আগত ধৰিলো। :—"সংসাৰত গোসাঁইয়ে কৃষ্ণলৈ ৰুক্মিণী, চোৰলৈ চুৰুণী, ইন্দ্ৰলৈ শচী, ফেঁচালৈ ফেঁচী, খোৰালৈ খুৰী আৰু বেঙালৈ বেঙী থৈছে; কেৱল মোলৈহে একো নথলে! মই দুৰ্ভগীয়াক নো কেলৈ সৃজিলি কণা গোসাঁই ঐ? কপাল! মোৰ আই বোপাই থকাহেঁতেন এতিয়া কিহৰ চিন্তা, ভৰিত ধৰি কাবৌ কৰি মোলৈ লোকে ছোৱালী দিলেহেঁতেন, তেতিয়া আকৌ মইহে এঙাই কলোহেঁতেন :—মোক ছোৱালী নেলাগে।" এই বুলি বনৰজা শ্ৰীযুত গোজৰ ৰৰুন্নাই বিলাপ কৰি আলিকেঁকুৰীৰ বিৰিণা-জোপাৰ মাজত বহি গধূলি বেলিকা চকু-লো টুকিব লাগিছে।

শলাল শইকীয়া আৰু টোকোৰা ৰৰা বিয়লি জাঁজীৰ পৰা শিৱসাগৰলৈ খোজ লৈছে, সেই দিনাই নগৰ পাৰগৈ লাগে, পাছদিনা তেওঁলোকৰ মকৰ্দ্দমাৰ দিন। কান্ধত তিনিভাগ ধানখেৰেৰে পুৰোৱা বৰ ডাঙৰ টৌম দুটাত চাউলৰ ডাঙৰ ভাৰ; আৰু শকত, ডাঠ, দীঘল, কেঁয়া আঙুলি নোগোমোৰা, একোটাত পাঁচ টকাকৈ গাখীৰ ধৰা এজোকা গাখীৰৰ চুঙা; খোজত লৰি ঘটং ঘটংকৈ বাজি গৈছে। কোনোৱা বিষয়াৰ ভেটী। শলাল শইকীয়াই মাত লগালে "ৰৰা ককাই, মই সেই-দেখি ঘৰ-পতা কৰাৰ ওচৰলৈ তোমাক আগেয়েই যাবলৈ কৈছিলোঁ; মোৰ কথা নুশুনা বাবে এইখন ঘটং-ঘটং লাগিল। এতিয়া গোচৰ-কবিয়াজ কৰি মৰ, চুৰাখাঁতী ছোৱালীৰ বাবে। ঘৰ-পতা কৰাই ৰাজ্যৰ ঘৰ পাতি দিয়ে, তোমাৰ হে কিন্তু ঘৰখন পাতি দিব নোৱাৰিলেহেঁতেন।"

এই কেৱাৰ কথা গোজৰ ৰৰুন্নাই খাৰৰ কাগজ পৰা নাজকে তেওঁ একে জাপেই থাটিকৰা মুজনৰ

আগত পৰিলগৈ। বাটৰুৱাইঁতে "খায় ঔ" বুলি ভাব পেলাই বিশ্বাশৰদে লৰ মাৰিলে। গোজৰে কথা বিসজতি দেখি "হে ককাইহঁত নেযাবা ঔ! ভয় নকৰিবা! মই কথা একেষাৰ হে সুধি লব খুজিছোঁ," এই বুলি পাছে পাছে খেদা দিবলৈ ধৰিলে।

দ্বিতীয় আধ্যা

চোতালত মেলি দিয়া ধান চপাই অঁতাই শুকান বগৰিৰ ডলাত ঘৰ-পতা ককানীয়ে অৰ্থাৎ বুঢ়ী আয়ে হাত দিছে, পাঁচ বছৰীয়া সৰু ল'ৰাটিয়ে নিজৰ সৰু হাতটিৰে তাৰে এখামোচ বগৰি থাপ্ মাৰি মাকৰ শাৰে সৈতে লৈ পলাইছে, আৰু ঘৰ-পতা ককাই ওচৰতে পলৰ কাঠী চাছিব লাগিছে। এনে সময়তে দূৰত এটা হাই উৰুমি উঠিল। সেইটো কিহৰ হাই বুলি গলা-গপা কৰোঁতেই এটা কাঠ খোৱা শৰ পছৰে সৈতে এটা ভয়ঙ্কৰ ঢেকিয়াপতীয়া বাঘ ককাৰ আগত উপস্থিত হৈ সাষ্টাঙ্গে প্ৰণিপাত। বুঢ়ী আয়ে চিঞৰ এটা মাৰি বৰষৰৰ শোৱা চাঙৰ তলত সোমাল, ল'ৰাটোৱে কান্দি গছৰ পাত সৰাবলৈ ধৰিলে। ককা বুকু ডাঠ মানুহ, চিঞৰ বাখৰ নকৰি পলৰ কাঠী চছা নলীয়া কটাবীখনৰ নালটোত টানকৈ খামোচ মাৰি ধৰি গোজৰৰ ফালে টোঁৱাই সমুখ সমৰলৈ সাজু হল।

তৃতীয় আধ্যা

গোজৰ বৰুৱা বাঘ—"কৃষ্ণক চিন্তি কিন্তু-ৰূপে ঘৰ-পতা ককা, আপুনি ভয় নেখাব ; মই আপোনাৰ ওচৰলৈ এটা ডাঙৰ সকামত হে আহিছোঁ। মোৰ সকতে আই বোপাই মৰিল। মই মাউৰা ল'ৰা। মোৰ কেও-কিছু নাই। দুজন বাটৰুৱা ভকতৰ মুখে আপোনাৰ খা-খবৰ বই-বাতৰি ঠা-ঠিকনা শুনি অনেক পুৰুষাৰ্থ কৰি আপোনাৰ শ্ৰীচৰণ দৰ্শন কৰিবলৈ পাইছোঁহি। আপুনি সকলোৰে ঘৰ পাতে, মই দুখীয়া নিৰাশ্ৰিত নিঃকিন প্ৰাণীৰো ঘৰখন পাতি দিয়ক, আশীৰ্ব্বাদ পাব। আপুনি মোৰ বোপাইৰ তুল্য। মোৰ আদবয়স হল, আগদাঁত এটাই কেইটা সৰিল, গুৰিদাঁতো এটা দুটাকৈ লৰিছে, চুলিও এডাল দুডালকৈ পকিছে, দিনো কাঢ়ি নখকা-হেঁতেন, লোকৰ আগলৈ গুলাবলৈকে লাজ লাগিল-হেঁতেন, তেও মোৰ আজিলৈকে গৃহবাস নহল। এই বিলাক অনেক কথা গপি-গাথি ভাবনা চিন্তাত দিনো কিন্তু মোৰ টোপনি নাহে, বুকটো আচম্ৰাইকৈ মুৰাই লৈ কুৰাম, খোৱামেলাত ৰুচি নহয়ে। এতেকে আপোনাৰ অভয় চৰণত শৰণ পশি কিন্তু লাজ-কাজ কাটিকৈ খৈ কৈছোঁ, ঘৰ-পতা ককা, নিজৰ পো বুলি যেন নিঠকৰা দুখীয়া ল'ৰাৰ ঘৰখন পাতি দিয়ে।"

চতুৰ্থ আধ্যা

গোজৰ বৰুৱাৰ এই আবেদন শুনি আমাৰ ঘৰ-পতা ককাৰ ধাতুটি যি কেডাল চুলিৰ আগেদি বগাই গৈছিল সেই কেডাল চুলিয়েদিয়েই আকৌ চুচৰি নামি আহি সোমাল। গোজৰক সম্বোধন কৰি আমাৰ ককাই মেঘৰ গম্ভীৰ ধ্বনিৰে কবলৈ ধৰিলে— "শুন আবুকা," (গোজৰে এই খিনিতে, মোৰ নাম 'গোজৰ বৰুৱা' বুলি কৈ ককাক সোঁৱাই দিলে।) "শুন গোজৰ! তোৰ দুখৰ কথা শুনি মোক শোকে খুন্দা মাৰি ধৰিছে! অঃ! এই পৃথিৱীত ইমান দুখিত প্ৰাণীও আছে! সকলো মোৰ প্ৰভুৰ লীলা! বাৰু, একো কথা নাই, ঘৰ-পতা ককাই অচিৰে তোৰ ঘৰ পাতি দিব। পৰৰ উপকাৰ (বাঘ :— মোক পৰ বুলি নেভাবিব, আপোনাৰ পো বুলি ভাবক) অৱশ্যে মোৰ পোৰ, মোৰ আপোন পোৰ উপকাৰ কৰিবলৈকে মোৰ প্ৰভুৱে মোক আজিলৈকে জীয়াই ৰাখিছে। তই আজি যা, পৰশুইলৈ এতেবেলি ভাৰ-ভেটী লৈ মোৰ ইয়ালৈ আহিবি, তোৰ নিশ্চয় ঘৰ পাতি দিম।"

ঘৰ-পতা ককাৰ এই সবিধান শুনি গোজৰ বৰুৱা আনন্দত গদ্‌গদ্ হৈ চকু-লোৰে গা তিয়াই কৃতজ্ঞতা প্ৰকাশি ককাক সাষ্টাঙ্গে প্ৰণিপাত কৰি দীঘল দীঘল জাপ মাৰি আপোন ঘৰ-মুৱা হৈ গুচি গল।

পঞ্চম আধ্যা

আজি 'গোজৰ বৰুৱা আহিবৰ দিন, ঘৰ-পতা ককাৰ মুখত পানী নাই, বুকু চিপিং চিপিং কৰিব লাগিছে ; বুঢ়ী আইৰ ভাত-চৰুৰ তলেদি জাল খোৱা নাই। ককাই কি বাঘৰ ঘৰ পাতি দিব, উলটি আজি বাঘৰ হাতত তেওঁৰ পতং, এই ভাবি গাঁৱৰ মানুহে ধন-বিত মাটিত পুতি, কোঁটা-বাটি পুখুৰীত পেলাই, পিঠাগুড়িৰ টেকেলি আৰু গুড়ৰ টেকেলিৰ ভাৰ কান্ধত লৈ পলাই পত্ৰং দিলে। ককাই গাহত তিৰ দি গৰু-ছাগৰ ছালৰ মোট এটা পি, ইষ্ট মন্ত্ৰ জপি, গুৰু ধৰলৈ আজোৰা লোপৰ এপাহ ফুল আগ কৰি, গোজৰ বৰুৱালৈ বাট চাই আগচোতালতে বহি আছে।

এনে সময়তে ৰকম্বা গোজৰে এটা পহু আৰু এটা মহ পোৱালী প্ৰাণ কাতৰে চোচোৰাই আনি ককাৰ আগত থৈ দীঘল হৈ পৰি দণ্ডৱৎ কৰিলে।

ককা—"গোজৰ আহিলি? তোঁৰ গা ভাল? এই বোৰ কি পালি?"

গোজৰ—"ককাৰ আশীৰ্ব্বাদত সেৱকৰ প্ৰাণ গতিক মঙ্গল। ককাৰ ওচৰলৈ বস্তী শুদা হাতে কেতিয়াও নাহোঁ; এটি পহু পোৱালী আৰু এটি মহ-পোৱালী যৎকিঞ্চিৎৰূপে লৈ অহা হৈছে।"

ককা—"মহ-পোৱালী কেলেই? হিন্দু মানুহে জানো মহ খায়?"

"ককা সেইটো মই জানো। কিন্তু মনত খুকুৰি হল, ককা হেন্দু নে মছলমান। সেই দেখি হেন্দু আৰু মছলমানৰ মিলাই দুই বিধৰ দুটা আনিছো, ককাৰ ইচ্ছামতে লব।"

এই কথা শুনি ককাই একুৰি খাৰটা দাঁতৰ আলু উলিয়াই চেক্‌চেক্‌কৈ হাঁহিবলৈ ধৰিলে।

ষষ্ঠ আধ্যা

টেটোন ককাই ফাকতি কৰি গৰু-চালৰ মোটত গোজৰক সুমাই মোটৰ মুখখন আটি আটি বান্ধি লৈ, তাক ধৰি তাৰপৰা বক্সা পাথৰ মনেৰে, চেকি-ঠোৰা লৈ যিমান পাৰে সিমান মোটৰ ওপৰত মৰি-য়াবলৈ ধৰিলে।

গোজৰ—"ককা দুখ পাইছোঁ, ৰৱকৈ নেমাৰিব।'

ককা—"ঘৰ পাতিবৰ দিহা হৈছে ৰ।"

গোজৰ—"ককা খুন্দাৰ তাপত মোৰ হাড় এটাই কেডাল গুড়ি হবৰ উপক্ৰম।"

ককা—"ইয়াকেহে বোলে ঘৰ পতা।"

গোজৰ—"ককা, থাওক, আৰু মোৰ ঘৰ পাতিব নেলাগে, বৰলা হৈয়েই থকাটো ভাল যেন দেখিছোঁ এতিয়া।"

ককা—"সি কথা নহয়, মই তোৰ ঘৰ পাতিহে এৰিম।"

শেহত খুন্দাৰ তাপত বাঘ লবেজান হলত, মৰিল বুলি ভাবি ককা আৰু বুঢ়ী আই দুয়ো ধৰি মৰি-মুজি তাক চোচোৰাই নি নৈত উটাই দি মুৰত হাত ফুৰাই ঘৰলৈ আহি গোসাঁই ঘৰত দীঘল হৈ পৰি গুৰুজনৰ নাম লবলৈ ধৰিলে।

সপ্তম আধ্যা

আহাৰ মহীয়া নৈ। তাতে চল আহিছে। ফেনে-কোটোকাৰে জাঁজীয়ে-কাঠে নাৱে-দুনিয়ে এক মহা সমাৰোহ; নৈয়ে 'কলৈ যাওঁ গোপাল, কলৈ যাওঁ কৃপাল' লগাইছে। দেখিলেই মনত এনে কথা খেলায়, যেন নৈয়ে কিছুমান মানুহৰ নিচিনাকৈ আঁত শুকুৱা খৰালিৰ পুৰণি কথা সমূলি পাহৰি, খন্তেকীয়া ওপচ-ভড়ালৰ গৰাকী হৈ জগতক তৃণ হেন দেখিছে।

সম্প্ৰতি বিধৱা বাঘিনী বগলাসুন্দৰী শোকত জৰ্জ্জৰিত হৈ ওফোন্দা নৈক চকুলোৰে আৰু ওকোন্দাই ল'ৰা-ছোৱালী কেইটাৰে সৈতে নৈৰ পাৰত ৰহি আছে। এনেতে দূৰত বিণিকি কিবা এটা উটি অহা বগলাই দেখিবলৈ পালে'

বগলা—"ল'ৰাহঁত চাচোন, সেইটো কি উটি আহিছে? কান্দোতে কান্দোতে মোৰ চকুৰ তেজ কমিছে, মই ভালকৈ নমনো। এ মোৰ কি সুখ সন্তোষ আছে, কনা গোসাঁয়ে—হু-উ-উ—।"

এই বুলি বগলাসুন্দৰী বাঘিনীয়ে কান্দিবলৈ ধৰিলে। কিন্তু অৱশেষত ল'ৰাহঁতৰ খাটিয়নিত তত নেপাই নিজেই সাঁতোৰ মেলি উটি অহা গৰুটো ধৰি লৈ আহিলগৈ।

অষ্টম আধ্যা

ৰতিয়ে মাছৰ পেটত কামদেৱক পোৱাটো পুৰাণৰ কথা বুলি শিক্ষিত উনৈচ শতিকীয়া সকলে উৰাই দিয়ে। ছাগলীৰ পেটত শিয়াল পোৱালীয়ে জন্ম গ্ৰহণ কৰাটো অসমীয়া ৰাতৰি কাকতৰ কথা বুলি মানুহে বিশ্বাস নকৰে, কিন্তু গৰুৰ পেটত যে আমাৰ গোজৰ ৰকম্বা বাঘৰ পুনৰ্জ্জন্ম হল এই ঘটনা শিক্ষিত অশিক্ষিত উনৈচ শতিকীয়া কুৰি শতিকীয়া এটাই বিন্দাকে বিশ্বাস নকৰেঁ। বুলি মুঠ বান্ধি লাগিলেও তাক মিছা কৰিব পৰাটোৰ সম্ভৱ নাই। কাৰণ, বাঁৰী বগলাসুন্দৰী বাঘিনীয়ে যে স্বামী পালে এই কথা সকলোৱে জানে, আৰু ই যাৱচন্দ্ৰদিবাকৰ সঁচা হৈ থাকিব।

বগলা অলপ দিন হল, পতিৰ মৃত্যুত বাঁৰী হৈ আছিল। গোজৰ স্ত্ৰীৰ অভাৱত ৰৱলা হৈ আছিল। গতিকে দুইৰো মুখৰমিলন ঘটিল; দুয়ো দুইকো প্ৰেম-বেদনা জনালে। অৱশেষত চূড়ান্ত, অৰ্থাৎ দুইৰো বিয়া।

নৱম আধ্যা

মৰিল বুলি নৈত উটাই দিয়া গোজৰ, পো-পোৱালি-লগা ন তিৰোতা লৈ ভাবে-ভেটায়ে এদিন ঘৰ-পতা ককাৰ দুৱাৰ মুখত উপস্থিত। ককাৰ তালু ফুটি জীৱ গল। মূৰত বিনামেঘে বজ্ৰাঘাত।

গোজৰ—(ঘৈণীয়েক আৰু লৰা ছোৱালীয়ে সৈতে দীঘল হৈ পৰি) "ককা, আপোনাৰ ধাৰ মই এই জন্মত শুজিব নোৱাৰো। একে দিনাই আপুনি মোৰ ঘৰ পাতিলে। নৈত উটাই দিয়ৰ দিনাই সেৰকে পো পোৱালি কেটাৰে সৈতে এই সেৰকীক পালে। নাতিয়েকহঁতে সৈতে আপোনাৰ বোৱাৰী বেটীক আশীৰ্ব্বাদ কৰক।"

ককা—(বিচুত্তি হৈ অথচ নিজক চম্ভালি) "তহঁতৰ অপায় অমঙ্গল দূৰ হওক। দীৰ্ঘায়ু হ। বৰ-কন্যাৰ হৰ-গৌৰী বসতি হওক।"

মূলা-খোৱা বুঢ়া

তাহানি এক ৰজাৰ দিনত এহালি বুঢ়া-বুঢ়ী আছিল। দুয়ো গাঁৱৰ এমূৰত সৰু পজা এটিতে টুক্ টুক্ টাক্ টাক্‌কৈ কোনোমতে খাই বৈ থাকে; খেতি-বাতি বিশেষ একো নাই; কেৱল ঘৰৰ আগৰ এচমকামান মাটিতে শাকটো-পাচলিটো আজি তাকেই বেচি কিনি কোনোমতে পেটে ভাতে খাই সান্ত সমস্তকৈ দিন কটায়। ঘৰখনিৰ ভিতৰত বুঢ়া আৰু বুঢ়ী, তেওঁবিলাকৰ আগলৈ চাবলৈকো নাই, পাছলৈ চাবলৈকো নাই।

এইবাৰ বুঢ়াই কৰবাৰ পৰা ভাল মূলাৰ গুটি আনি বৈ গোবৰ-মাটি ছাই-মাকতি সাৰ-জাবৰ আদি দি নিকাই খুচৰি লহ-পহ কৰে ভাল মূলা এডৰা কৰিছে; দেখিলেই এনেহে লাগে, যেন মূলাডৰাই 'মোক খা' 'মোক খা' কৈ হাত বাউলি দি মাতিব লাগিছে।

কোন কোৱা-চিলাই ঘতৰা কলেগৈ কব নোৱাৰোঁ, স্বৰ্গত বাতৰি ওলালগৈ, যে অমুক ঠাইত অমুক বুঢ়াৰ শাকনি বাৰীত এনে এডৰা 'মোক খা, মোক খা' কৰা মূলা হৈছে। লাহে লাহে এই কথাৰ পম খাঢ়ি গৈ ইন্দ্ৰৰ কাণ পালেগৈ। কথাটো নুভীয়া ইন্দ্ৰৰ কাণেদি সোমাই মূৰ পাই পৰি জিবাইদি টপ্ টপ্‌কৈ পানী হৈ পৰিবলৈ ধৰিলে। দেৱৰাজ ইন্দ্ৰ বাহাদুৰৰ পেটত 'কেতিয়া মূলাৰ ওচৰ পাওঁ' এই কথাই ধান খানিবলৈ লাগি গল।

দ্বিতীয় আধ্যা

বাতিপুৱাই কাউৰী-কুকুৰ নৌ উঠোঁতেই কটা-কঁথা নিহালিৰ মায়ামোহ এৰি বুঢ়াৰ শাকনি সোমোৱা অভ্যাস। দিনতো দিঠকত মূলাখোচৰা আছেই, ৰাতিও সমাজিকত বুঢ়াৰ মূলা-খোচৰাৰ ত্ৰুটী নাই; আন কি, টোপনিত গাৰ খুদখহত কেনেবাকৈ হাত পৰি খজুৱালেও বুঢ়াৰ মূলা-খোচৰা যেনহে লাগে। এদিন ৰাতিপুৱা সোক্‌বোকালিতে শাকনিৰ পৰা বুঢ়াই বিঙিয়াই মাতিবলৈ ধৰিলে—"বুঢ়ী ঔ বুঢ়ী।"

বুঢ়ী—"ঔ।"

বুঢ়া—"চাহিচোন বেগাই আহ।"

বুঢ়ী—"ৰাতি এডোখৰ থাকোতেই নো কি হল ঐ। মই আৰত এতিয়াই নোৱাৰোঁ উঠিব।"

বুঢ়া—"মোৰ মূৰখাতী বুঢ়ী, আহচোন চাই যাহি।"

বুঢ়ী—"মোৰ মূৰখোৱা বুঢ়া, মই নোৱাৰোঁ যাব, কি হল ক?"

বুঢ়া—"বোলো, মূলাৰ কণ কঠীয়া মাৰিলে।"

বুঢ়ী—"কি হল? কোনে? গৈছো।"

এই বুলি নিহালি কঁথা তুলি তলিচা যি আছিল সোপাকে গাত মেৰাই লৈ বুঢ়ী শাকনি পালেগৈ।

তৃতীয় আধ্যা

বুঢ়া—"ই কথাই কথা নহয়, সি মূলা খাই লতা পাইছে যেতিয়া আজিও আহি ওলাবহি। আজি ৰাতি খাপ দি তাক ধৰিবই লাগিব, কি বোল বুঢ়ী? মই আমুকা বুঢ়া হওঁ যদি তাক গৰু-বন্ধা পঘাৰে বান্ধি ঢেকি-ঠোৰা লগাম।"

বুঢ়ী—"মই হৰলা আমুকী বুঢ়ী হওঁ যদি মাকতিয়েকে তাক বুঢ়ী বাঢ়নী নলগাম?"

এইদৰে বুঢ়া-বুঢ়ীয়ে পাজি-পাতি দীঘল দিনটো কোনো মতে নিয়াই ৰাতি খাই-বৈ উঠি খাপ দি আছে। কেঁচাই কুৰুলিয়ালে, গল, মূলাচোৰ নাহিল। হঁহকলিয়ে মাতিলে:—"হঁহকলি, হঁহকলি, অতকৰোৰ ধান চাউল কি কৈলি?" হঁহকলিয়নীয়ে উত্তৰ দিলে:—"পোৱে খালে, জীয়ে খালে ঠোক্ ঠোক. খাক্ খাক্," গল, মূলাচোৰ নাহিল; গাঁৱৰ সিমূৰে ফেকুৱাই "ফেউ ফেউ" কৰিলে, গল, মূলাচোৰ নাহিল; কুকুৰে ওচৰতে 'ভৌ অ-অ-অউ হো—' কৈ আকাশ লংঘা কুলকণীয়া চিঞৰ লগালে, গল, মূলা-

চোৰ নাহিল। মূলা নাইকীয়া মানুহে গোৱালপাটীত পৰি এলুটি দুলুটিকৈ তিনি চাৰি বাৰ লুটি-বাগৰ দি টোপনিটো সলাই লৈ আকৌ শুলে, তেও মূলাচোৰ নাহিল। বুঢ়াই নিৰাশ হৈ বেজাৰ মনেৰে বুঢ়ীক মাত লগালে, "বুঢ়ী কি কৰ! চোৰ দেখোন নাহিল।" বুঢ়ীয়ে কিংকৰ্ত্তব্যবিমূঢ় হৈ কি উত্তৰ দিব, এই কথা ভাবোঁতেই মূলাচোৰ ইন্দ্ৰই গাত ওঁ বীজ আৰু তেল জেপুজেপিয়াকৈ ঘহি, তেল কলীয়া আঠু মূৰীয়া চুৰিয়া পিন্ধি, আৰু এবীয়া কাপোৰ গাঁঠি মাৰি, বুঢ়া মানুহ এটাৰ বেশ ধৰি শাকনি সোমাই কচু কচু কৰে মূলা খাবলৈ লাগি গল। সহস্ৰলোচন মূলাত ইমান মজি গৈছিল যে তেওঁৰ সহস্ৰ চকুৰ আগতো, হাতুত গৰুৰ পঘা, ঢেকি-ঠোৰা, আৰু বুঢ়ী বাঢ়নী লৈ দুৱাৰ চুকত লুকাই থকা বুঢ়া বুঢ়ী, নপৰিল।

চতুৰ্থ আধ্যা

ইন্দ্ৰ—"হে ককাই, মোক আৰু নিকিলাবা ওঁ, এয়ে আঁতিছে। মই এধামৰা হলো; তুমিও বুঢ়া মানুহ, ময়ো বুঢ়া মানুহ, অলপ মুখলৈ চোৱাঁ ওঁ এই বাৰবপৰা মই আৰু এনে কাম নকৰোঁ ওঁ! মোক এৰি দিয়া ওঁ! হে বৌ! বাঢ়নীৰ খোচত মোৰ চকু ফুটিব লগীয়া হল, মোক ইমানতে এৰা ওঁ! বান্ধ মোকোলাই দিয়া, মই দুটি ভৰিত ধৰি চুলি চিঙি কাতৰ কৰি মাতিছোঁ ওঁ! হে বধে চুব আৰু নেমাৰিবা ওঁ!"

বুঢ়া—"তোৰ মুখেদি মই মূলা এটাই কেইটা উলিয়াইহে এৰিম। মোৰ গুৰুক দিয়া নাই, গোসাঁইক দিয়া নাই, ভকতক দিয়া নাই, মহাজনক দিয়া নাই, সন্ত-সাধুক দিয়া নাই; তই কটা মোৰ মূলা আগেয়ে চুবকৈ খালি।"

বুঢ়ী—"মোৰ এইটাৰ বাঢ়নী ভাগি চুকাল, আৰু এটাৰ আছে, সেই টাৰ আনোগৈ ৰ।"

ইন্দ্ৰ—"ককাই তোমাক যিহকে লাগে তাকে দিম, মোক এৰি দিয়া।"

বুঢ়া—"যিহকে লাগে তাকে দিবি? ওঁ বাৰু অ'। কটা ছাল-ছিগা ভিকহু, তই যিহকে লাগে তাকে দিব নেলাগে, মোৰ ঘৰত্তে গোলাম হৈ থাকি খেতি-বাতি কৰি দিম বুলি সৈ কাঢ়।"

ইন্দ্ৰ—"ককাই মই সেইটোৰ বাহিৰে যিহকে কোৱা তাকে কৰিবলৈ গাত লৈছোঁ, সেইটোহে নোৱাৰোঁ। তোমাৰ আগত আৰু কি মিছা কথা কম, মই ইন্দ্ৰ, বেশছন্ন কৰি আহি তোমাৰ মূলা খাইছিলোঁ।"

বুঢ়া—"তই ইন্দ্ৰ যদি ভালেই হল, মইও তোকেইহে বিচাৰি ফুৰিছিলো; বুঢ়াৰ হাতত চেঙেলি পৰিছ। জনমৰ পৰা আমাৰ দুখতে কাল গৈছে, তেও তই চকু মেলি নেচা? বুঢ়ী, সিটাৰ বাঢ়নী আনগৈ, যা বাবেধাঁতী কৰিছ কি? বেগাই যা। ইয়াৰ চকু কেটাৰ একে বেলিয়েই চাই-থনীয়া শৰাধ কৰি থওঁ।"

ইন্দ্ৰ—"মই তিনি শইত খাই কৈছোঁ, ককাই তোমাক যিহকে লাগে তাকে দিম, মোক একো নকৰিবা।"

বুঢ়া—"বাৰু ৰ তেন্তে, আমি বুঢ়া-বুঢ়ী দুয়ো আলচ কৰি কি লাগে কওঁ।"

এই বুলি পথাৰ বান্ধটো ঘৰৰ খুটাত ভালকৈ আঁটি দি বুঢ়া-বুঢ়ী অলপ আঁতৰ হৈ ইন্দ্ৰই নুশুনাকৈ আলচ কৰিবলৈ লাগি গল।

পঞ্চম আধ্যা

ইফালে স্বৰ্গত শেহ ৰাতি টোপনি ভাগি শচীয়ে কাষৰত খপিয়াই ইন্দ্ৰক নেপাই কান্দি-কাটি মহা হুলস্থূল লগাই দিলে। কি কৰিব নিৰুপায়, ঘৰৰ কোনেও ধৰি শচীক ৰাখিব নোৱাৰে, পানীত পৰি মৰিবলৈ যায়; আৰু গোটেইজনী বাউলী হৈ, গিৰীয়েকৰ স্বভাৱচৰিত্ৰ সোপাকে আগৰ পৰা গুৰিলৈকে উকটি, নানা সুমিষ্ট ভাষাৰে গালি-শপনি পাৰি তলমাটি ওপৰ লগাই দিলে। চন্দ্ৰ-সূৰ্য্য বায়ু-বৰুণ আদি কৰি ত্ৰিদশকোটি দেৱতা আৰু ঘৰৰ চাকৰ-নাকৰ লগুৱা-লিকচৌ বিলাকে দিহাদিহি ইন্দ্ৰক বিচাৰি চলাথ লগাইছে, কিন্তু সকলোৱে ওপৰে ওপৰেহে ফুৰিছে, যাই কথাৰ সম্ভেদ কোনেও পোৱা নাই। ইন্দ্ৰ-জোল কেনি বৈ গল, তাৰ উৰাদিহ ধৰিব নোৱাৰি যেয়ে যেনিয়ে পাই তেনিয়েই ভেটা দি ফুৰিছে। ত'ত যে ইফালে আহি বুঢ়াৰ ঢেকি-ঠোৰাৰ মাৰত চেপেটা লাগি ত্ৰাহি-মধুসূদন দেখিব লাগিছে, এই কথা কাৰো সমজিকতো নাই।

ষষ্ঠ আধ্যা

বুঢ়া—"এটা ঘৰ-ঘৰ, এটা মাৰল-ঘৰ, এটা চৰা-ঘৰ, এটা বুলনি-ঘৰ, এটা গোহালি-ঘৰ, এবোৰ ভঁড়াল (এটা ভাটি, এটা গছী), ঢেকিশাল, তাঁতশাল, নাম-ঘৰ; তাৰ পাছত এগোহালি গৰু, এখুটি মহ; তাৰ পাছত বাম-বুলিয়া মোৰ কাপোৰ-কানি; তাৰ পাছত কিবা বোলেনে তোৰ বিহা মেখেলা, অলঙ্কাৰ-পাতি; ইয়াকে কোৱা যাওক; কি বোল বুঢ়ী?"

বুঢ়ী—"কি বোলো, মোৰ মূৰ খোৱা, তোৰ মূৰ বোলো। আগেয়ে মোৰ অলঙ্কাৰ-পাতি, তাৰ পাছতহে তোৰ ঘৰ-দুৱাৰ হাতী-ঘোঁৰা।"

বুঢ়া—"আগেয়ে ঘৰ-দুৱাৰ নহলে তোৰ মূৰ অলঙ্কাৰ-পাতি কত থবি বুঢ়ী খুণ্ডলী?"

বুঢ়ী—"বুঢ়া খুণ্ডলা, তোৰ মূৰ অলঙ্কাৰ-পাতি মোৰ গাত থাকিব। ঘৰ-দুৱাৰ গৰু মহ জুইয়ে পুৰিলে, মৰি থাকিল, আজৰি হল, মোৰ অলঙ্কাৰ সদাই থাকিব। বুঢ়া খুণ্ডলা সোলা!"

বুঢ়া—"মোৰ মূৰ খাঁতী বুঢ়ী খুণ্ডলী স্থূলী। তই মৰিলে তোৰ অলঙ্কাৰ তোৰ মূৰ কত থাকিব?"

বুঢ়ী—"মোৰ মূৰ খোৱা বুঢ়া খুণ্ডলা হতচিৰি হোৱা, মই মৰিলে মোৰ মূৰটো তয়ে খাবি। বুঢ়া খুণ্ডলা, মোৰ মূৰটোলৈ তোৰ বৰ হেপাহ হৈছে, ৰ তাকে তোক দিওঁ।"

এই বুলি বুঢ়ীয়ে ফোঁ ফোঁ কৰে লৰ মাৰি আহি "বুঢ়াক মোৰ মূৰটো লাগে, তাকে দিয়া" বুলি ইন্দ্ৰক কৈ হাতৰ খাণ্ডটো মেলি দিলে। বুঢ়া ভেবা লাগি চাই থাকোঁতেই গল; ইন্দ্ৰই বাজ্ৰৰ পৰা মুকলি হৈয়েই বুঢ়ীৰ কথামতেই তৎক্ষণাৎ বজ্ৰেৰে কোৰ মাৰি বুঢ়ীৰ মূৰটো কাটি বুঢ়াৰ আগত পেলাই দি মায়া হৈ গুচি গল। কাণ্ডখন দেখি বুঢ়া বিমূৰ্চ্ছিত হৈ মাটিত পৰিল।

জলকুঁৱৰী

ৰূপহী সৰু নৈ। দ। খৰালিৰ পানী চিৰ্-চিৰীয়া। সেই পানীক কৰবাৰ পৰা নৈ অহা ফটিক-জোল বুলিলেহে বজে। কিন্তু বাৰিষাৰ পানী টৌ-লেও দিয়া ঘোকা। আহিন কাতিৰ ৰূপহী নিমাতী ক্ষীণ আৰু লাজকুৰীয়া। আহাৰ শাওণৰ ৰূপহী টপ্‌টপী শকত, ডেও-পাৰতী আৰু নাচনী; দেখিলে সেয়েই নে এই ৰূপহী ঠাৰবোৱা টান।

ৰূপহীৰ পাৰৰ এডোখৰ আওহতীয়া ঠাইত এজোপা ডাঙৰ জৰী গছ আছে। সেই জৰী জোপাৰ তলতে এজনী ছোৱালী পুৱা-গধূলি সদাই বহি থকা দেখিবলৈ পোৱা যায়। ছোৱালীজনীৰ চকু ৰূপহীৰ বুকুৰ এটা ছাকনৈয়াৰ ওপৰতে থাকে। সেই ছাকনৈয়াটোক ছাকনৈয়া নুবুলি ৰূপহীৰ মুখ বুলিলে কথাটো বোধকৰো বেছি খেও খায়। কাঠ খাগৰি নল যি সেইখিনি পাইছি, ৰূপহীয়ে জা কৰি তাক পেটৰ ভিতৰত সুমাই লয়।

ছোৱালীজনীৰ দৈনিক কাম হৈছে খাগৰি একোছা গোটাই আনি এডাল এডালকৈ ছাকনৈয়াত পেলাই দিয়া; আৰু কেনেকৈ সি পোনতে লাহে লাহে, তাৰ পিছত বেগেৰে টাকুৰী ঘূৰাদি ঘূৰি থিয় হৈ ভৰ্ ভৰ্ কৰে তললৈ সোমাই যায়, সেই ৰং চোৱা। আৰু এটা কাম, ৰূপহীৰ সৈতে কথা পতা; আৰু মাজে মাজে আগ গুৰি বিবৰ্জ্জিত নাম সাজি আনি ৰূপহীক গাই শুনোৱা। তাইৰ এটা নামৰ চানেকী তলত দিলো।

"তইও ৰূপহী মইও ৰূপহী
বাওতে ৰূপ চৰিল,
ইকৰা পাতৰে নাও বাই গলো
সোঁ মাজ পায়ে বুৰিল।"

যোল বছৰীয়া ছোৱালী এজনীয়ে কি এইখন নৰালি কৰি কাল কটায় তাক হৰি ভগৱন্ত আৰু তাইহে জানে।

তাইৰে সৈতে সমাৰ মুঠেই মিল নাই; সহৰ তলত তাইৰ দৰে বহি কটাবলৈ সময়ৰ ঘোৰ আপত্তি। সংসাৰত সময়-ঘোঁৰাৰে সৈতে চেকুৰিব নোৱাৰিলে সি মানুহক পিছ পেলাই গুচি যাব। কালক্ৰমত তাইলৈ দৰা আৰু বিয়া আহি উপস্থিত হল। দৰা বাইচ বছৰীয়া. দেখিবলৈ ভাল, শুনিবলৈ ভাল, ভাল কুলীয়া। ছোৱালীৰ মাকৰো মত, বাপেকৰো মত, সতিকেই নিৰ্বিৰোধে বিয়াৰ ঠিক হল। দৰা-ছোৱালীৰ দেখা দেখি আলাপ পৰিচয় ঘটিল। বিয়ালৈ আছে সাত দিন। কিন্তু ছোৱালীৰ মনৰ টানটো হল-খোজা দৰাৰ ফালতকৈ ৰূপহী নৈৰ ফাললৈহে প্ৰবল যেন দেখি। বিয়া পালেহি, তাৰ চিন্তা-চৰ্চা বা আন ভাৱনা একো নাই, এতিয়াও আগৰ দৰেই নিতৌ ৰূপহীৰ পাৰত তাই বহি কটায়। তাইৰ এনে স্বভাৱ লক্ষ্য কৰি দৰা অতি অসন্তুষ্ট।

এদিন তাই নৈৰ পাৰৰ পৰা ঘৰলৈ আহি শুনিলে, দৰাই তাইক বিয়া নকৰাই কাইলৈ বিদে-শলৈ গুচি যাব খুজিছে। কথাটো কঁঠালৰ ডিলাত বাহৰ শাল সোমোৱাদি তাইৰ বুকুত সোমাল। তাই ভাবিলে, "যাওঁ, সি এই নিশাই তেওঁক হাতে ভৰিয়ে ধৰি নেযাবলৈ কওঁগৈ।" আকৌ ভাবিলে "লাজ পুৰি নেখালে মোৰ পক্ষে এনেকৈ কোৱাটো অসম্ভৱ।" ভাবনাত ৰাতি তাইৰ টোপনি নাই। বাহিৰত ফৰিংফুটা জোনাক। শোৱা-পাটি এৰি মনে মনে তাই ৰূপহীৰ পাৰ ওলালগৈ। পাৰ পায়েই তাইৰ সকলো চিন্তা ভাৱনা ৰূপহীৰ সোঁতত মুহূৰ্ত্ততে কৰবালৈ উটি গল। আকৌ তাই খাগৰি গোটাই আনি ছাকনৈয়াত এডাল এডালকৈ পেলাবলৈ লাগিল।

এনেতে হঠাৎ পিছ ফালৰপৰা দুখন তপত হাতে তাইৰ চকু দুটা মুদাই ধৰিলে। তাই ৰলেৰে হাত দুখন একম্বাই উভতি চাই দেখিলে সেই হৰ-খোজা স্বামী। দুইৰো মাজত হাঁহিৰ ধুম পৰি গল। ৰূপহীৰ সিপাৰৰ পৰা প্ৰতিধ্বনিয়েও সমান ভাৱে সেই হাঁহিত যোগ দিলে। জৰী গছৰ ওপৰত কেঁচা-কেঁচী আছিল, সিহঁতেও এই আনন্দত মনে মনে থাকিব নোৱাৰি কুৰুলিয়াই দিলে।

বাকী খাগৰি যি আছিল এটাইকেইডাল তাই গোটাই আনি একেবাৰেই ছাকনৈয়াত পেলাই দি তিনটা চাপৰি বজালে।

দৰা—"কি কৰিলা ?"

ছোৱালী—(হাঁহি হাঁহি) "এই ছাকনৈয়াত এজনী ছোৱালী এতিয়াই বুৰি মৰিল। মই মইনা চৰাই ; মোক সজাত সুমাই থোৱাঁগৈ, লৈ বলা।"

আমাৰ সংসাৰ

[ডম্বৰুধৰৰ বয়স ২১। বি, এ, মহলালৈ থার্ডইয়েৰ ক্লাছত পঢ়িছে। কাকতে পত্ৰই "চেণ্টি-মেণ্টল" কবিতা লেখা স্বভাৱটোও আছে। কলি-কতাৰ কলেজ বন্ধত ঘৰলৈ আহিলত, মাকে ডম্বৰুৰ শান্তি বিয়া পাতি বাৰবছৰীয়া বৈণীয়েকক ঘৰলৈ আনিলে। প্ৰথম ৰাতি। ১১ বজা। ডম্বৰু আৰু ন বৈণীয়েক শোৱা পাটিত বহি।]

ডম্বৰু—(বৈণীয়েকৰ মুখৰ ওৰণি গুচাবলৈ ধৰি) প্ৰিয়ে। প্ৰাণ প্ৰিয়ে। প্ৰাণেশ্বৰী। মুখৰ ওৰণি গুচুৱাঁ। আ-হা-হা। পূৰ্ণিমাৰ জোনটিক ডাৱৰে কেনেকৈ ঢাকি ধৰিছে। গোটেই ফুলা, আপোন জেউতিৰে জলা, গোলাপ ফুল পাহিক পাতে কেনেকৈ ছাতি আছে। চাওঁ, ডাৱৰ গুচ, আঁতৰ, পলা ; পূৰ্ণিমাৰ চিকুণ জোনটি দেখি মোৰ চকু জুৰাওক।—আঃ ওৰণিৰ পৰা হাত আঁতৰোৱা। কুৎচিত কাপোৰ এখনেৰে সোণ যেন মুখখন আৱৰি ৰাখি তাৰ জেউতি লুকাই লাভ কি ?—বাঃ বাঃ ওৰণিৰ তলেদি এতিয়াই তোমাৰ তিল-ফুল যেন চিকুণ নাকটিৰ আগটি ওলাইছিল। সত্যে কৈছো, ঠিক মেঘৰ তলেদি বিজুলীয়ে ভুমুকিয়ালে যেনে দেখিবলৈ হয় তেনে হৈছিল। হায়। চক্‌মক্ কৰে ওলোৱা আৰু লুকুৱা বিজুলীক চিৰস্থায়ী কৰি চকুৰ আগতে ধৰি ৰাখিব পাৰিলে কিমান সুখ।—চাওঁ, ইমান ঘামিছা কেলৈ ? নিশ্চয় তোমাৰ কপালত ঘামৰ টোপাবিলাক একোটি মুকুতা হৈ ওলমিছে ; দেখি-বলৈ চাগৈ কেনে শুৱনী হৈছে। ওৰণি গুচুৱা মোৰ মাণিক ; গুচুৱা ! গুচুৱা ! গুচুৱা ! মোৰ চকুক সেই সুখৰ পৰা বঞ্চিত কৰা কেলৈ ? অ' মোৰ কপাল। ফোপাইছেও। কিয় ? মোৰ সোণাই তুমি ফোপাইছা কেলৈ ? তোমাৰ কি হৈছে ? তোমাৰ কি মানসিক যন্ত্ৰণা হৈছে ? একো চিন্তা নাই, মই শপত খাই কৈছো, প্ৰতিজ্ঞা কৰি কৈছো, চন্দ্ৰ-সূৰ্য্য-গ্ৰহ-নক্ষত্ৰক সাক্ষী কৰি কৈছো, ওৰে ৰাতিটো, জীয়াই থাকোমানে, নমৰোঁ-মানে, একেহাতে ছেদ্‌ভেদ্ নোহোৱাকৈ তোমাক তালপাতৰ চেঁচা বিচনিৰে চন্দন কাঠৰ সুগন্ধী বিছনিৰে, ম'ৰা পাখিৰ ৰূপহ বিছনিৰে, বিচি থাকিম।

(বিছনি লৈ বিছিবলৈ ধৰে) চেঁচা পানীত মিছিৰি তিয়াই চৰ্পত কৰি তোমাক খাবলৈ দিম। বৰফ লিমনেড্ দিম। (অ' পাহৰিছোঁৱেই, এই জঙ্গলী দেশত লিমনেড্ পোৱা নেযায় হৰলা) ভয় লাগিছে দেখি ফোপাইছা ? মই ওচৰত থাকোতেও তোমাৰ ভয় ? তোমাৰ স্বামী, তোমাৰ প্ৰাণেশ্বৰ, তোমাৰ সুখ-দুখৰ লগৰীয়া তোমাৰ কাষত থাকোঁতে তোমাৰ ওচৰলৈ কি আপদ আহিব পাৰে ? প্ৰিয়ে মৃগ-নয়নী। তোমাৰ নিমিত্তে, তোমাৰ ৰক্ষাৰ নিমিত্তে, তোমাৰ সুখৰ অৰ্থে মই মুহূৰ্ত্ততে প্ৰাণ দিব পাৰোঁ, তুমি নেজানানে ? পৰমেশ্বৰ। O dear ! who the D-knows whether there is a God or not ! মিল, হিউম, স্পেন্সৰ, বেইনৰ মতবিলাক মই তোমাক লাহে লাহে বুজাই দিম, তেতিয়া তুমি বুজিবা, আমাৰ দেশৰ মানুহবিলাকৰ মন কি কুসংস্কাৰেৰে ভৰা। প্ৰিয়ে। কোৱাঁ তোমাৰ কি কষ্ট হৈছে ? তোমাৰ প্ৰাণবল্লভ তোমাৰ ওচৰত থাকোঁতে তোমাৰ কি বেজাৰ, কি ভয়, কি দুখ হব পাৰে ? তুমি জানানে এই মুহূৰ্ত্ততে এই ক্ষণতে মই তোমাৰ নিমিত্তে জীৱন বিসৰ্জ্জন দিব পাৰোঁ ? (উঠি গৈ দাঁড়ত আঁৰি থোৱা চোলাৰ মোনাৰ পৰা কলম কটা কটাৰী আনি ডিঙিত ৰেপ দিবৰ ভাও কৰে, আৰু ছোৱালী ভয়ত টেপা খায়।) প্ৰাণেশ্বৰী, তুমি যদি অমত কৰা, আৰু এই কটাৰী পেলাই দিবলৈ কোৱা, এতিয়াই তাক মই পেলাই দিম। পেলাম নে ? পেলাম নে ?

বৈণীয়েক—পেলাওক।

ডম্বৰু—(কটাৰী দলিয়াৰি পেলাই দি)—পেলাওঁ। 'পেলাওক' আহা কি সুমধুৰ মাত। কি অমিয়া মাধুৰী সুৰ। কি কোকিল-কাকলি ! প্ৰিয়ে, তোমাৰ এই কণ্ঠস্বৰ শুনি মোৰ আজি জীৱন ধন্য হল। আজি একৈশ বছৰে এই শুকান সংসাৰত দুখ-যন্ত্ৰণা ভুগি জীয়াই থকাৰ সাৰ্থক হল। হে

ঈশ্বৰ !—Goodness gracious ! How often I commit the same mistake ! It is the damned habit I cant shake off ! বাওক । হে সুভাষিণী ! তুমি মোক আজিৰ পৰা নিকিনা গোলাম কৰিলা । তোমাৰ চৰণত মই ক্ৰীতদাস হলোঁ । (বৈণীয়েকৰ ভৰিত ধৰিব খোজে, আৰু বৈণীয়েকে ভৰি আঁতৰাই নিয়ে।)

কিয় প্ৰিয়ে, তোমাৰ পদুম মৃণালৰ নিচিনা ভৰিৰ স্পৰ্শ-সুখৰপৰা মোক বঞ্চিত কৰিব খুজিছা কেলৈ ? মই তোমাৰ ওচৰত কি অপৰাধ কৰিলোঁ ? হে ভৰি, হে মৃণাল, এই অধম তোমাৰ চৰণত কি জগৰত জগৰীয়া ?

(চকুৰ লো টোকে)

প্ৰিয়ে, প্ৰিয়তমা, প্ৰাণেশ্বৰী, তোমাৰ এই অৰুণ চৰণ যুৰি মোৰ শুকান বুকুৰ ওপৰত এবাৰ থোৱাঁ, মোৰ বুকু শাঁত হওক । প্ৰিয়ে তোমাৰ—

"অৰুণ নয়ন নখ অৰুণ বৰণ,
অৰুণ অধৰ চাৰু অৰুণ চৰণ ।"

বৰ্ণাই মই কত কবিতা লেখিছোঁ । আজি মোৰ সেই এটাইবিলাক কবিতাই তোমাৰ ৰূপ ধৰি মোৰ আগত উদয় হৈছে ।

My beloved, তুমি কথা কোৱা । মইনা ! তুমি কথা কোৱা । তোমাৰ এবাৰ "পেলাওক" কথাই মোৰ কাণৰ ভোক লক্ষগুণে বঢ়ালে । প্ৰিয়ে, তুমি লেখা-পঢ়া শিকিছানে ? কি কিতাপ পঢ়িছা ? কোৱাঁ ? কোৱাঁ ? মইনা কোৱাঁ ?

বৈণীয়েক—আ—আদিপাঠ ।

ডম্বৰু—আদিপাঠ ? "আদিপাঠ" "আদিপাঠ '। আহা কি মিঠা মাত । অপ্সৰাৰ কল-কণ্ঠ । আদি-পাঠৰ কোন খিনিলৈকে পঢ়িছা ?

বৈণীয়েক—(লেহাই ডিঙি কঁপাই)

"খো-খেবোচা-খবিচা (লেপচুকি) গাভৰু গায়ন
গুণঠি গিলিপ গেবেলা বায়ন ।"

ডম্বৰু—বাঃ বাঃ এই বে কবিতা ! তুমি কবিতা পঢ়িছা । তুমি কাব্যৰস পান কৰিব পাৰিছা । তুমি কবি ! তুমি স্বভাৱতে কবি । তুমি মোৰ Goddess of Muse । তুমি মোৰ Inspiration ; হে কবিতেশ্বৰী, তোমাক মই অচিৰতে চেক্সপিয়েৰ, মিল্টন, বাইৰণ, শেলি, কীটচ্ পঢ়িবলৈ দি অমৰ কবিসকলৰ কবিতাৰ সোৱাদ কেনে তাক জানিবলৈ দিম । তুমি কবিতা লেখিবও পাৰিবা । তুমি নিশ্চয় ৰেবেট ব্ৰাউনিঙৰ নিচিনা কবিনী হৈ (Goodness, I don't know what is the feminine of কবি ; never mind কবি or কবিনী all the same) এই জগতত অমৰ-কীৰ্ত্তি লাভ কৰিব পাৰিবা । আহা ! ঘৰৰ পিছ ফালৰ পিৰালিত, যা ধনা, পিৰালিৰ কাষৰ কল তলত মই জোনাক ৰাতি থিয় হৈ থাকিলে, যিদিনা তুমি আমাৰ এই শোৱনা ঘৰৰ খিৰিকী দুৱাৰৰ কাষত থিয় হৈ, এবাৰ মোক

"O Romeo, Romeo ! Wherefore art thou Romeo ?
Deny thy father, and refuse thy name ;
Or, if thou wilt not, be but sworn my love,
And I'll no longer be a Capulet."

এই বুলি মাতিবা, সেই দিনা মই হাতেৰে স্বৰ্গ চুকি পাম । সেই দিনা মোৰ জীৱনৰ ওখ আশা পূৰ্ণ হব ।—প্ৰিয়তমা, তোমাৰ মুখৰ একেষাৰ অমিয়া মাত শুনিবলৈ মই কি নিদিব পাৰো ! প্ৰাণেশ্বৰী আৰু কথা কোৱাঁ, আৰু এনাৰ কথা কৈ মোক তোমাৰ নিকিনা গোলাম কৰা । তোমাৰ মুখৰ একেষাৰ কথা শুনিবলৈ, হে প্ৰিয়ে, মই মোৰ এই প্ৰাণ, এই তুচ্ছ প্ৰাণ......, কান্দিছা নে কি ? আহা ! মোৰ প্ৰিয়াই মই প্ৰাণ দিব খোজা শুনি বেজাৰত কান্দিছে ! নহয় নে প্ৰিয়ে ? মইনা কিয় কান্দিছা ? মোৰে মূৰটোকে খোৱা কোৱাঁ ?

বৈণীয়েক—মো-মোৰ দৰা-কইনাবোৰে সোতে কাঠৰ সৰু পেৰাটো আনিবলৈ পাহৰি আহিলো দেখি ।

ডম্বৰু—কোনো চিন্তা নাই, Bonic darling dearie, কাইলৈ মই দৰা কইনাৰ পেৰা অনাই দিম । Rosaline, তুমি মোক love কৰা নে ? O my Juliet তোমাক মই ইমান ভাল পাওঁ যে I can't express, হে কুণ্ডনন্দিনী, হে অশ্ৰুমতী, হে মৃণালিনী, হে শকুন্তলা, হে অফিলিয়া, হে মিৰাণ্ডা, তুমি এবাৰ মুখেৰে কোৱাঁ যে "ডম্বৰু I really love you "—মৃগনয়নী তুমি আকৌ চকুৰ লো টুকিছা কিয় ? তোমাৰ চকুৰ পৰা ওলোৱা মুকুতাবোৰে মোক স্পষ্টকৈ কৈছে যে তুমি মোক নথৈ ভাল পোৱা । Is not it ? নহয় নে ডালিং ? নহয় নে ? নহয় নে ?

বৈণীয়েক—আমাৰ ঘৰত এৰি থৈ অহা মোৰ কণ কণ হাঁহগোৱালী কেইটালৈ মনত পৰি কান্দিছো । সিহঁতক কাইলৈ কোনে টোপ খুৱাব ?

[ডম্বৰুৰ মাকে খোজা-পাটীৰপৰা উঠি আহি বাহিৰৰপৰা মাত লগায় ।]

মাক—বৰ বোপা কি হৈছে ? তইঁত এতিয়াও শোৱা নাই ? কি হৈছে ? কোনে কান্দিছে ? ন ছোৱালীয়ে কান্দিছে নে কি ? বোৱাৰী কি হৈছে ?

[ন ছোৱালী গিৰীয়েকৰ কাষৰপৰা একে চাৰেই উঠি আহি দুৱাৰ মেলি শাহুৱেকৰ কাষ পায]

ন ছোৱালী—(কঁপি কঁপি)—আই মম—ই এ—এই ঘৰত শুব নোৱাৰো । মো—মোৰ বৰ ভ—ভয় লাগিছে । সেই তেওঁ বলিয়া হৈযেই নে কি, কিবা-কিবিবোৰ দেখোন অথনিৰেপৰা বকিব লাগিছে । এবাৰ কটাৰী আনি নিজৰ ডিঙি কাটিবলৈ ধৰিছিল ! আৰু মোক কিবা মিৰ্কনযনী ডাৰ্লিং আৰু ভালেমান কিবাকিবি বুলি মাতিছিল !

মিলাৰামৰ আত্ম-জীৱনী

এই কেইটা কাৰণৰ বাবে মোৰ জীৱন চৰিত মই নিজে লেখিলোঁ ।

(১) মোৰ মিতিৰ বা কুটুম লেখত তিনিজন । পোন প্ৰথমতে বৈণীৰ ফালৰ, তাৰ পিছত আইৰ ফালৰ, আৰু তাৰ পিছত সকলোৰে শেহত বোপাইৰ ফালৰ । তিনিউজনৰ পৰা তিনি দিনৰ অন্তৰে অন্তৰে তিনিখন তিনিপতীয়া সুকীয়া চিঠি পাইছোঁ । তাৰ মৰ্ম্মটো এই : "আপুনি যদি আপোনাৰ অতি বিচিত্ৰ জীৱন চৰিত্ৰ স্ব-হস্তে লেখি মানুহৰ কুশলৰ অৰ্থে প্ৰকাশ কৰে, তেন্তে আপোনাৰ লেখা পঢ়িম।"

(২) মোৰ জীৱনৰ আহিঁ লৈ বাট বুলি বহুতে মোৰ নিচিনা ডাং-ডাং-ডাং-অৰ হব পাৰিব ।

(৩) কলি-কলীয়া মানুহ যেনে অধৰমী, মোৰ জীৱন-চৰিত্ৰ মই নিজেই লেখি থৈ নগলে, কোনে নো ধৰ্ম্মক লক্ষা কৰি পাছে লেখিব দেও হে ?

(৪) পুণ্যবান মানুহৰ চৰিত্ৰ ভক্তি ভাৱে পাঠ কৰিলে "পুইণ" হয । আৰু কব দিয়া যদি, বেয়া নোপোৱা যদি, কব পাৰো যে মোৰ এই জীৱন চৰিত কণা মানুহৰ বিত চকু, খোবাৰ কঠুৱা ভবি, কুঁজাৰ পিঠিৰ থিয়াকিল, বহুৱাৰ বহুৰ দৰৰ, খৰীয়াৰ বজুৰতি, নখ-চুকীয়াৰ বেতৰ বকটু, আৰু আঙুলী পানীয়ে খোৱাৰ তুলা আৰু পাপ-জেতুকা ।

অসমত আমাৰ ঘৰ মানুহ, পাতকাই পৰ্ব্বতৰ সমান পুৰণি, ব্ৰহ্মপুত্ৰৰ দ'লটোৰ সমান ওখ, শিৱ-সাগৰ পুখুৰীটোৰ সমান ডাঙৰ, আৰু পদীয়াভৰাটোৰ সমান উজ্জ্বল ।

আমাৰ উপৰি পুৰুষৰ নাম হয়বৰ । তেওঁ ১৬১৯ শকত কনৌজৰ পৰা, পাঁচজন তেওঁৰে নিচিন সাধু পুৰুষৰে সৈতে, মানুহ মৰা টোকোনা, বাদুলীসঁচাৰ ভঙা অস্ত্ৰ আৰু সিদ্ধি খনা চিপৰাং লৈ, লাহে লাহে দিগ্বিজয় কৰি আহি অসম দেশ পায় । গুণীৰ গুণ বুজোঁতা ৰুদ্ৰসিংহ স্বৰ্গদেৱে, তেওঁলোকক অভ্যৰ্থনা কৰি, যাউতী-যুগীয়াকৈ ৰাজ বন্দীশালৰ সুন্দৰ খোটালি এটা তেওঁলোকক দান কৰি, তেওঁ-লোকৰ পোহপালৰ ভাৰ নিজে গ্ৰহণ কৰিলে ।

পোন্ধৰ বছৰৰ পিছত হযবৰৰ বংশধৰ পুতেক হৰিবৰে, কনৌজৰ পৰা বাপেকক বিচাৰি আহি, পানীযে বামে ছমাহ বাটকুৰি বাই ৰংপুৰ পাই ওপৰত কোৱা ৰাজদত্ত বাহৰত পিতৃদেৱতাক দৰ্শন কৰি পিতৃৰ শ্ৰীচৰণ-কমলত মাথা দোৱাঁলে । "দীৰ্ঘজীৱী হ" বুলি সকলোৰে শুনাকৈ হয়বৰে আশীৰ্ব্বাদ কৰাৰ পিছত, হৰিবৰে, পিতৃচৰণাৰবিন্দ সততে নয়ন-গোচৰ হব ভাবি, সেই নগৰতে বসতি কৰিলে । বছেৰেক যাওঁতে নেযাওঁতেই হৰিবৰৰ যশস্য সৌৰভ গুণগ্ৰাহী স্বৰ্গদেৱৰ নাক পালত দয়ালু স্বৰ্গ-দেৱে দযা প্ৰকাশ কৰি বাপ-পোৰ মাজত বিচ্ছেদ নঘটাকৈ, সেই একে খোটালিতে তেওঁৰো থাকিবৰ দিহা কৰি দিলে ।

হৰিবৰৰ পুতেক বিখ্যাত মনবৰ পণ্ডিতৰ নাম বুৰঞ্জীৰ পাতে পাতে অনুসন্ধান কৰিলে পোৱা যায় । এওঁৰ বিদ্যাৰ সৌগন্ধই অসম দেশ মলমলাই আছিল । এওঁৰ এটা আচৰিত ক্ষমতা এই আছিল যে যাৰে তাৰে চহী এওঁ হুবহু নকল কৰি দিব পাৰিছিল । ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ পুতেক শিৱসিংহ স্বৰ্গদেৱৰ ৰাজ সভাত এওঁৰ এই বিচক্ষণ গুণৰ কথা গলাগপা হবলৈ ধৰিলে আৰু দেশদেশান্তৰৰ পৰা মানুহ পণ্ডিতক চাবলৈ ভাগি অহা দেখি স্বৰ্গদেৱে এই বিদ্যাৰত্নক অতি আগ্ৰহেৰে আহ্বান কৰি নি, সকলোৱে দেখি চকু জুৰাবলৈ, ছুটি ছুটি ঠেঙা পিন্ধাই সজাই-পৰাই ৰাজ-আলিত ঠাই দিলে । আৰু অনভ্যাসত কেনেবাকৈ বিদ্যা হত হয় বুলি আশঙ্কা কৰি, এওঁৰ হাত চৈ কৰি ৰাখিবৰ অভিপ্ৰায়ে বিদ্যানু-ৰাগী স্বৰ্গদেৱে এওঁৰ হাতত হাতুৰী দি আলিত শিল ভাঙিবলৈ লগাই দিছিল ।

মনবৰ পণ্ডিতে ভৱলীলা সংবৰণ কৰাৰ পিছত এই পৃথিৱীত তেওঁৰ "ভৰিৰ খোজ" পাঁচোটি পুতেক আৰু একনী জীয়েক বল । সিঙিবাম, বাতিবাম, বাতিবাম, কাতিবাম, চুৱাবাম আৰু কপাহী নাহে নাহে ঈশ্বৰৰ ইচ্ছাত এই "ল'ৰা পোৱালী" পাঁচোটি আৰু কন্যাৰত্নকেবি ডাঙৰ দীঘল হৈ খুটি বাব পৰা হল । লোকে ল'ৰা কেইটিৰ নাম দিলে পাঁচ পাণ্ডৱ আৰু কপাহী বোলা ছোৱালীজনীৰ নাম দিলে জাহ্নবতী ।

কিন্তু কি সূত্ৰত আৰু কি মিল দেখি লোকে গিহঁতৰ নাম পাঁচ-পাণ্ডৱ আৰু ছোৱালীজনীৰ নাম জাম্ববতী ৰাখিছিল বুজিব পৰা নগল। পাঁচ পাণ্ডৱ ক'ত? আৰু পাঁচপাণ্ডৱৰ ভনীয়েক পাতি দিয়া জাম্ববতী ক'ত? হোঃ হোঃ হোঃ হাঁহি উঠা কথা। ঋষি মুনি নামৰ বুঢ়াসকলে হিন্দু শাস্ত্ৰত কয় বোলে, নাম মানুহবে সৈতে মিলে। এই কথা নেমানি প্ৰচণ্ড প্ৰতিবাদ কৰি কবলগীয়া যে, মানুহহে নামৰে সৈতে মিলে। হিন্দুশাস্ত্ৰ ঠেলি এইষাৰ কথা কোৱা বাবে তুমি লাগে যদি মোক খ্ৰীষ্টানকে বোলা, তাতো মান্তি আছো। সঁচা কথাষাৰ মই নকওঁ বুলিলেও মোৰ হাড় নাইকিয়া জিভাই নকৈ নেৰে। তোমাক এটা কথা এই খিনিতে কৈ থওঁ নেপাহৰিবা দেই,—টং কৰি চানে দেখিবা যে ঋষি মুনিসকলৰ কথাবোৰৰ ৰব লাগবান্ধ নাই। তেওঁলোকৰ দিনৰ আমাৰ উপৰি পুৰুষসকলে যে তেওঁলোকৰ কথাত ৰব কাণ নেপাতিছিল, তাক তেওঁলোকেও যে বুজিব নোৱাৰিছিল এনে নহয়। তাৰ প্ৰমাণ, তেওঁলোকৰ কবলগীয়া কথাবোৰ আমাৰ উপৰিপুৰুষসকলৰ আগত তেওঁলোকে কথৰ গাহ নকৰি, সাঁচিপাত তালপাত আৰু ভূৰ্জ্য পাতৰ আগত কৈ গল। সাঁচিপাত প্ৰভৃতিয়েও সেই বেবেৰিবাং কথাৰ মৰ্ম্ম বুজিব নোৱাৰি তাক উঁই-পৰুৱাক বিলাই দিলে। আৰু তাৰ পিছত সি উঁই-হাফলু। উঁই-হাফলুৰ পৰা বাল্মীকি, বাল্মীকিৰ পৰা ৰামায়ণ। এই গোপনীয় পৰমাৰ্থৰ কথাষাৰ এইখিনিতে তোমাক কৈ থলো।

এইবিলাক যি হওক, অহঙ্কাৰেৰে সৈতে কোৱা উচিত, যে মোৰ উপৰিপুৰুষসকল নাম চাই মানুহ আছিল। লোকৰ ঘৰত সিন্ধি দিয়া বিদ্যাটো অমুকৰ ঘৰৰ ল'ৰা সিন্ধিৰামৰ যেনে আছিল আনৰ তেনে নাছিল। পালী-প্ৰহৰীয়ে বেঢ়ি থকা ডাঙৰ লোকৰ ঘৰত সিন্ধি দিব নাগিলে মহাত্মা সিন্ধিৰাম অধ্যাপক (Professor) নগলে নহৈছিল।

ৰাতিৰাম দৈৱিক শক্তিৰ লোক আছিল। অন্ততঃ তেওঁৰ চকুযোৰ। শিয়াল আৰু ফেঁচাৰ নিচিনাকৈ তেওঁ এন্ধাৰতো ৰয়-ৰস্ত ফট্ ফট্ কৰে দেখিছিল। দিনতকৈ ৰাতিহে তেওঁৰ চলন ফুৰণ সৰ্ সৰীয়া হয়। পশুশ্ৰেষ্ঠ শিয়াল আৰু পক্ষীশ্ৰেষ্ঠ ফেঁচাৰ নিচিনাকৈ দিনটো তেওঁ জুপুকা মাৰি ঘৰৰ চুকত বহি কল-মূটিয়াই কটায়, আৰু সন্ধ্যা লাগি আহিলেই গা-মূৰ জোকাৰি পাখি কটালি থিয় হয়। তেওঁৰ এই দৈৱিক শক্তি দেখি তবধ মানি অতি সন্তুষ্ট হৈ প্ৰমত্তসিংহ ৰজাই তেওঁক হাতে-ভৰিয়ে পিন্ধিবলৈ দুডাল লোৰ শিকলি ৰাজ প্ৰসাদ স্বৰূপে বঁটা দিলে। এই শিকলিৰ আঙঠি এটা মোৰ ঘৰত এতিয়াও আছে। মোৰ উপৰি পুৰুষৰ সোঁৱৰণি স্বৰূপে তাক গোসাঁই ঘৰৰ চুপত থাপনা পাতি থৈ দিছোঁ। খিহবে সৰাহে উলিয়াই সেৱা কৰো।

এই পৃথিবীত পৰিশ্ৰমী আৰু অধ্যৱসায়ী মানুহৰ পক্ষে সৰু অৱস্থাৰ পৰা ডাঙৰ অৱস্থা পাবলৈ টান নহয়। বেঞ্জামিন ফ্ৰেঙ্কলিন ছাপাখানাৰ প্ৰিণ্টাৰৰ অৱস্থাৰ পৰা এখোজ দুখোজকৈ নথৈ ডাঙৰ মানুহ হৈছিল বুলি শুনিছো। নেপ'লিয়ন বোনাপাৰ্ট এটা সামান্য চিপাহীৰ অৱস্থাৰ পৰা সম্ৰাট হৈছিল বুলি কয়। আমাৰ পূৰ্ব্বপুৰুষ ৰাতিৰামো নিজৰ অদম্য পৰিশ্ৰম আৰু অধ্যৱসায়ৰ গুণত ৰব ডাঙৰ মানুহ হৈ উঠিছিল। ইংৰাজীত যাক "চেল্ফ্-মে'ড্ মেন" বোলে ৰাতিৰাম তাৰ উদাহৰণ। প্ৰথমতে তেওঁ লোকৰ খাটিটো, তাৰ পিছত বাটিটো, তাৰ পিছত লোটাটো, তাৰ পিছত ছাগলিটো, গৰুটো, মহটো, গৰাকীৰ বিনানুমতিত আৰু অজ্ঞাতসাৰে ইফাল সিফাল কৰি সৰকাই, সেই মহাবিদ্যাত দিনকদিনে ওখ হৈ দ'লৰ কলচী চুকি পোৱা হৈছিলগৈ। অসমৰ বুৰঞ্জী পুৰি খোৱা আপোনপেটীয়া, "জলম ৰটা" কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই, ৰজাৰ খাটনিয়াৰ হৈ মাটিত ভৰি নোথোৱা হলত, বৰগোহাঁই প্ৰভৃতি ৰাজ্যৰ প্ৰধান প্ৰধান লোকসকলে যেতিয়া ষড়যন্ত্ৰ কৰি এই কোণ্‌কোৰা কাঁইট উভালিবৰ থিৰ কৰিলে তেতিয়া সেই গুৰুতৰ কাৰ্য্যসিদ্ধিৰ নিমিত্তে, ডাঙৰীয়াসকলৰ কানি-খোৱা পিয়লাবাটি যেন ডাঙৰ ডাঙৰ চকু আমাৰ ৰাতিৰামৰ ওপৰত পৰিল। ৰাতিৰাম পিছ হুহকিবৰ পদাৰ্থ নহয়। ১৬৮৫ শকত বৰবৰুৱা নগৰলৈ যাওঁতে এই ৰাতিৰামেই তেওঁক ভীমকলৰ গছত বৈৱাদি বৈয়ালে। অৱশ্যে কপালৰ বল ৰব বল। বৰবৰুৱা নমৰিল, মৰিল ৰাতিৰাম। ভ'ত বিচাৰত কটা গল।

ৰাতিৰ ভাই কাতিও কাতি হৈ পৰা বিধৰ লোক নাছিল। তেওঁ যথাসাধ্যে আমাৰ বংশৰ নাম আৰু মান ৰাখিবলৈ ত্ৰুটী কৰা নাছিল। মোৱামৰীয়াইঁতে লক্ষ্মীসিংহ স্বৰ্গদেৱক জয়সাগৰৰ দ'লত বন্দী কৰি থৈ, কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাক শালত দি, মোৱামৰাণৰ পুতেক ৰমাকান্তক ৰজা পতা কাৰ্য্যত, বাহুবলী কাতিৰামে মোৱামৰীয়াৰ লগ লাগি সিহঁতৰ দলত বল দি, ৰজাৰ বিপক্ষে, সেনাপতি মোৱামৰাণ আৰু ৰাঘৱৰাণৰ বৈণীয়েকইঁতে সৈতে সমানে সমানে যুদ্ধত বিক্ৰম দেখুৱাইছিল। এই কাতিৰামেই সেই দিনা, জয়সাগৰৰ দ'লত—লক্ষ্মীসিংহ ৰজাৰ পিঠিতে চপতাৰে তিনি কোব মাৰি, চপটাৰ সোজাৰ ফেনে বুজাই, লোকক নচপটিয়াবলৈ স্বৰ্গদেৱক চিৰকাললৈকে শিকনি দিছিল। আকৌ এই কাতিৰামেই কিছুদিনৰ পিছত ৰঘুনাথৰ (পাছে বুঢ়াগোহাঁই) সৈতে ষড়যন্ত্ৰ কৰি, সেৱা কৰিবলৈ আহিছো বুলি, [illegible] ৰজাক [illegible] অন্ত কৰিবলৈ। [illegible]

সদন্যায় বুঢ়াগোহাঁয়ে, "নিমখ হাৰামি" কৰি ফাকি দি ভেজ খাবলৈ বুলি মাতি আনি, আন আন মোৰাঁ-মৰীয়াই সৈতে এই বীৰপুৰুষজনক খাল খনাই পোতাই মাৰিলে। নতুবা কিজানি উদ্ধৰ অশ্বত্থমা হনুমন্ত আৰু বিভীষণে সৈতে আজিও তেওঁ অমৰ হৈ বদৰিকাশ্ৰমত থাকিলহেঁতেন। সঁচা-মিছা ভগৱন্ত ৰয়ে জানে, তেওঁক পোতা ঠাইতে তেওঁৰ মৃৰটোৰ পৰা গজালি মেলি এজোপা ডাঙৰ লাও গছ হৈছিল, এনে প্ৰবাদ প্ৰচলিত আছে।

সকলোতকৈ সৰু চুৰাবামো উল্লেখিত পৰি মৰা নাছিল। তেৰোঁ "বাপকা বেটা লড়াই কা ঘোড়া" আছিল। ১৭০৪ শকৰ বহাগৰ ২ তাৰিখে ৰাতি জুই লগাই শিঙৰীঘৰ পোৰা মৰাণহঁতৰ এৰেঁই "কাপ্তান" আছিল। এওঁ অতি বুদ্ধিমান জ্ঞানী আৰু সংস্বভাৱৰ পুৰুষ আছিল। লোকৰ বয়-বস্তু তদাৰক নোহোৱাকৈ আলৈ-আথানি হৈ পৰি থকাটো এওঁ সমূলি সহিব নোৱাৰিছিল। তেনে দেখিলে সেই বস্তু এখেতে স্বহস্তে লৈ আহি নিজৰ ঘৰত সাৱধানে থৈ দিছিল। মূৰ্খলোকে নিজৰ ইষ্টানিষ্ট নুবুজে। মূৰ্খই নিজৰ বস্তু নিজেও ভালকৈ ৰাখিব নাজানে পৰকো ৰাখিব নিদিয়ে। সেই দেখি পৰোপকাৰী চুৰাবামে মূৰ্খ সৰাকীক জানিবলৈ নিদিয়াকৈ তাৰ বস্তু আনি নিজৰ তত্বাৱধানত সাৱধানে ৰাখিবলৈ বাধ্য হৈছিল। এওঁৰ বিষয়ে এটা ঘটনা আজিলৈকে প্ৰচলিত আছে। এক গৃহস্থৰ ঘৰত লোটা বাটি কাঁহী কলহ কিছু সৰহ আছিল। কিন্তু থাকিলে কি হব, ওপৰত কোৱা সেই আলৈ আথানি। আমাৰ চুৰাবামে সেই লোটা বাটি ৰক্ষণাবেক্ষণৰ ভাৰ দয়াপৰৱশ হৈ নিজে লোৱাটো কৰ্ত্তব্য ভাবি এদিন এন্ধাৰ ৰাতি গৃহস্থৰ পিৰালিত চোপা দি বহি গৃহস্থৰ ঘৰৰ মানুহ শুবলৈ বাট চাই আছিল। অসমীয়া মানুহৰ এটাইবিলাক কথাই বেবেৰিবাং। ঘৰ-দুৱাৰ একোৰে লাগবান্ধ নাই। পিৰালিৰ গাতে চুৰনিপাতখন। গিৰীহঁতনীয়ে ভাতপানী খাই এন্ধাৰে মুন্ধাবে আহি, মুখ-ধোৱা চুৰাচৰীয়াৰ পানী চুৰনিপাতলৈ চাতি মাৰি পঠিয়াওঁতে, দুৰ্ভাগ্যক্ৰমে গোটেই চৰিয়া পানী পিৰালিত এন্ধাৰে-মুধাৰে জুপুকা মাৰি বহি থকা আমাৰ উপৰি পুৰুষৰ গাতে পৰিল। ত'ত তভালিকে "ভাৰী অসভ্য তিৰোতা।" বুলি গালি পাৰি খং কৰি কো-কো কৰে তাৰ পৰা উঠি গুচি আহিল। কবলৈ শোক লাগে পুহৰষীয়া ৰাতিৰ সেই চুৰা-চৰিয়াৰ চেঁচা পানীত স্নান কৰি পানী লগা জৰ হৈ আমাৰ উপৰি পুৰুষ দয়াশীল চুৰাবাম শইকীয়া তিনি দিনৰ মূৰত বৈকুণ্ঠলৈ প্ৰয়াণ কৰিলে।

কপাহীৰ বিষয়ে (যাক চকু-চৰহা সকলে অন্যায়কৈ ডাকতী বুলি মাতিছিল) অসব বুৰঞ্জীত বেছি কথা পোৱা নাযায়। কেৱলমাত্ৰ এই কেবা আছে যে, তেওঁ ৫ বছৰৰ ভিতৰত ৭ জন স্বামীৰ চাউল খাই শেহত বদনচন্দ্ৰ বৰফুকনক কাটোতা ৰূপসিং চুবাদাৰত বিয়া সোমাল।

এই দৰেই আমাৰ বংশত ডাঙৰ মানুহ নানি-নিছিগা মুকুতাৰ মালা যেন হৈ চলি আহিছে। এটাইবিলাক জীৱনৰ ঘটনাবোৰ লেখিবলৈ গলে এখন মহাভাৰত হয়, আৰু ময়ো দ্বিতীয় ব্যাস হওঁ। সেই দেখি জপিয়াই চমুকৈ দুজন এজনৰ নাম উল্লেখ কৰি একে হেচোকে ককাদেউতাৰ ওচৰ পামহি।

নগাঁৰিলৈ আহোঁতে গৌৰীনাথ সিংহ স্বৰ্গদেৱক মাৰিবলৈ পিছে পিছে মানুহ লৈ খেদি যোৱা বজা-খেদা নগঁয়া সিন্ধুৰা হাজৰিকাও আমাৰ আজু আইৰ ফালৰ কুটুম আছিল। বিখ্যাত পানীমুৱাও, যাৰ খৰৰক আজিলৈকে "পানীমুৱাৰ খৰৰ" বোলে, আমাৰ বংশৰে এটি ভোটাতৰা। ভূত কুকুৰাচোৰাঁ ৰৰাৰ পুতেক সতৰাম চাৰিঙীয়া-ফুকনৰ লীলাখেলাৰ মাই লগৰীয়া আৰু সোঁহাত জনও আমাৰ বঙহৰে আছিল। আৰু সেই জনেই আমাৰ এই প্ৰাচীন বংশৰ মৰ্য্যদা ৰাখি শেহত সতৰাম ফুকনৰ বিপক্ষে সাক্ষী দিছিল।

আমাৰ ককাদেউতা অতি চোকাবুধীয়া আৰু দেশহিতৈষী লোক আছিল। ১৭৩৮ শকত মান আহিলত, মানেৰে সৈতে মিলি আমাৰ ককাদেউতাই অসমীয়া মানুহৰ বয়-বস্তু লুটি-পুটি নিয়াত বহু প্ৰতাপ দেখুৱাইছিল। শুনা কথা, সঁচা-মিছা কব নোৱাৰোঁ, আমাৰ ককাদেউতাই হেনো মানৰ নিচিনা সাজ পিন্ধি লুং-লাং-টুং-টাং মাত মাতি ৯টা কেচুৱা লৰা যাঠীৰে খুচি, আৰু তিনিজনী তিৰোতাক কাৰে মাছ কচাদি কাচি নাৰিছিল। সেই তিনিজনী তিৰোতাৰ ভিতৰত এজনী হেনো তেওঁৰ ভাই-বোৱাৰী। শেহত এজনী তিৰোতাৰ হাতত তেওঁৰ মৰণ মিলে। মোৰ ককাদেউতা বীৰৰ সাজেৰে, বীৰব্যাহৰ নিচিনাকৈ সমুখ সমৰত পৰি স্বৰ্গপুৰীলৈ গল।

মোৰ পিতাদেও অতি ওখ খাপৰ লোক আছিল। তেওঁৰ নিচিনা সাহ-পিতৰ লোক অসমত আৰু এটি নাছিল। তেওঁ অকালত, অসমৰ যেলিক দিন-দুপৰতে বাহুৰ হাতত দি অক্ষয় স্বৰ্গলৈ গতি কৰিলে। (অলপ মান চকুৰ পানী ওলাইছে যেন পাওঁ, পাঠক-সকল, আপোনাসকলৰ অনুমতি লৈ টুকি পেলোৱা যাওক)—মোৰ পিতৃ পুৰুষৰ বুদ্ধিটো অতি চোকা আছিল বুলি মই ওপৰত কৈ আহিব পাওঁ? মাই কোৱা যদি এইখিনিতে কওঁ। তেওঁৰ বুদ্ধিটো আইন কানুন গোচৰ কৰিবলৈকো যাকৈ খেলিছিল।

অৱশ্যে তেওঁৰ গাত উকিল-মুক্তিয়াৰৰ যাৰ চাৰ যে কিবা আছিল এনে নহয়। তথাপি দিনটোত কুৰি-ছঁৰা গোচৰ-ফৰিয়াদ তেওঁৰ গাৰপৰা নুগুচিছিল। অথচ ইকালে ব্ৰহ্মাক্ষৰ "ক" টোৰ চুক সাতোটা নে পাঁচোটা তেওঁৰ মৰিবৰ দিনালৈকে ভাবি একো এটা থিৰ মীমাংসা কৰিব নোৱাৰিছিল। মৰিবৰ সময়ত তেওঁ মোক ওচৰলৈ মাতি নি কলে "বোপা মিলাই ঔ।" মই ওচৰ চাপি আহি উত্তৰ দিলোঁ, "দেউতা কি কৈছে?" তেওঁ কলে "বোপা মোৰ এটা কথা মনত গল।" মই কলোঁ, "দেউতা সেইটো কি কথা কওক, মই তাক সিদ্ধি কৰিম।" তেওঁ কলে, "বোপাই মই 'ক' টোৰ চুক সাতোটা নে পাঁচোটা গোটেইটো জীৱনত ভাবি থিৰ কৰিব নোৱাৰিলোঁ।" মই কলোঁ, "দেউতা, মই সেইটো থিৰ কৰিম।" দেউতাই কলে, "কৰিবি?" মই কলোঁ, "কৰিম দেউতা।" দেউতাই আকৌ সুধিলে "কৰিবি?" মই কলোঁ "কৰিম।" দেউতাই পুনৰ সুধিলে, "কৰিবি?" মইও বুকু ফিন্দাই পুনৰ কলোঁ, "কৰিম দেউতা।" দেউতাই কলে "মই তেনেহলে এতিয়া নিশ্চিন্ত হৈ সুখেৰে মৰোঁ।" মই কলোঁ, "দেউতা মৰিব পাৰে, মোৰ কোনো আপত্তি নাই।" এই কথা শুনি দেউতাই চকু মুদিলে। সেইদিনাৰ পৰা মই অলপ-অচৰপ লেখা-পঢ়াত মন দিলোঁ।

গৰুৰ কাষৰপৰা চিকৰা-খোৱা গৰু-বগ নুগুচাদি মোৰ দেউতাৰ কাষৰপৰা গুচৰীয়া-পদকীয়া নুগুচি-ছিল। আৰু মোকৰ্দ্দম সাজি দিছে, তাক জবাব চৰাল শিকাইছে, আৰু সাক্ষীক শিকনি দিছে, তাৰ হৈ উকিল-মুক্তিয়াৰ ধৰি দিছে, এনেবিলাক পৰো-পকাৰ কৰিয়েই তেওঁ কাল কটাইছিল।

তেওঁৰ জীৱনৰ এটা ডাঙৰ ঘটনাৰ উল্লেখ কৰিয়েই আজিলৈ আমি মেলানি মাগিম। এবাৰ তেওঁৰে আৰু তেওঁৰ গোসাঁইৰে কিবা কথাত লাগি মনান্তৰ হয়। "বাৰু তুমি কেনে গোসাঁই মই দেখুৱাম" বুলি মোৰ পিতাল পিতাদেউতাই গোসাঁইৰ নামে এটা ফৌজদাৰী মোকৰ্দ্দমা গজগজীয়াকৈ থিয় কৰি দিলে। এদিন দেউতাই খবৰ পালে যে ওচৰৰে এখন গাঁৱত অমুক দিনা অমুকৰ ঘৰৰ এজনী মৰা ছোৱালী অমুক ঠাইত পুতি থৈছে। ইন্দ্ৰদ্যুম্ন ৰজাই জগন্নাথৰ প্ৰতিমা সাজিবলৈ নিমকাঠ বিচাৰি অকলে কান্ধত কুঠাৰ লৈ যোৱাদি, ৰাতিয়েই পিতা-দেউৱে কান্ধত কোৰ লৈ অকলে সেই মৰা শটো খানি আনি, গোসাঁই প্ৰভুৰ ঘৰৰ ওচৰৰে এখন বিলৰ দলনিৰ তলত সুমাই থৈ, পুলিচত খবৰ দিলেগৈ, যে অমুক গোসাঁইয়ে এনে তেনে কথাত লাগি, মোৰ ভনী ছোৱালীজনী খুন কৰি "মাচটো" কৰবাত লুকাই পেলালে। এই বাতৰিত হুলস্থুল কাণ্ড লাগিল, আৰু গুৰু হাজোতলৈ গল। দেউতাই পুলিচক লৈ গৈ দলনিৰ পৰা শটো উলিয়াই হিয়া-বুৰ ভুকুৱাই কান্দোন-কাটোন লগাই দিলে। শেহত বিচাৰত মকৰ্দ্দমা গোটেই মিছা প্ৰমাণ হলত গোসাঁই জামিনা মুকলি হল। কিন্তু পিতাদেউৰ বিষয়ে দয়ালু হাকিমে শুপি গপি চাই ইয়াকে পালে, যে তেওঁৰ এটা দিহা নকৰিলে, হিংসক আৰু খলৰত্ন গোসাঁইয়ে সদাই তেওঁৰ নামে চৰকাৰৰ ঘৰত কুট-নাট লগাই থাকিব। এই বিবেচনা কৰি মৰ্ম্মাহতভাৱে পিতাদেউক অন্ততঃ তিনি বছৰৰ নিমিত্তে ৰজকাটকৰ ভিতৰত ঠাই দি নিৰাপদ কৰি খিয়লীয়া গোসাঁইক "জব্দ" কৰি থলে।

এই গল পিতাদেৱৰ চৰিত্ৰ। পিতাদেউৰ পাছত কোন?—কোন?—কোন? ময়েই হবলা? হয়। এইবাৰ বুঢ়াৰ গা পালেহি। অ' মোৰ নিজৰ জীৱন চৰিত্ৰ লেখিবলৈহে আদিতে কাপ ধৰিছিলোঁ? কি ভুল। মোৰ নিজৰ দেখোন একোকে লিখা নহল। নহল নাই, দিগো যোৱা নাই।

চৌনচম্পা

দুপতীয়াতে লেখা পঢ়া সাং কৰি সৰ্ব্ববিদ্যা-বিশাৰদ হোৱা গল। কলে লোকে পতিয়াবনে নপতিয়াব কব নোৱাৰোঁ, তথাপি কওঁ যে নুবুৰাকৈ, কেইখা বাৰো পাৰি দি, কেইবাখনো পুথিৰ ইপাৰৰ পৰা সিপাৰ আৰু সিপাৰৰ পৰা ইপাৰ হোৱা গৈছিল, অৰ্থাৎ সৰ্ব্ব সাধাৰণৰ অসাধু ভাষাত পোনাই কব লাগিলে, কেইবাখনো পুথি আগৰ পৰা গুৰিলৈকে কেইবাবাৰো ধকাসৰকাকৈ পঢ়ি শেষ কৰিছিলোঁ। অসমীয়া পুথিৰ ভিতৰত কাণখোৱা, বঙাল-বঙালনী নাটক আৰু কুমাৰহৰণ। বঙালী পুথিৰ ভিতৰত বোধোদয়, বিদ্যাসুন্দৰ আৰু কাক-চৰিত্ৰ। ইংৰাজী পুথিৰ ভিতৰত স্পেলিংবুক, ফাৰ্ষ্ট্ বুক অৱ্ ৰিডিং আৰু মিষ্ট্ৰীজ্ অৱ্ দি কোৰ্টচ্ অৱ্ লণ্ডন। ধৰ্ম্মতঃ কৈছোঁ, এই তিনি-ত্ৰিকা-ন খন পুথি তিনি-ত্ৰিকা-ন বাৰ মই সজ্ঞানে সুস্থ শৰীৰে পঢ়িছিলোঁ। কাণখোৱা পুথিয়ে মোৰ আন মানসিক উন্নতি কৰক নকৰক, শাৰীৰিক কাণ দুখন যে থাকে, এইটো ধ্ৰুৱ; কাৰণ কোনেও "সিধক কাণ-কটা" নোবোলাকৈ সম্বোধন কাৰকত মোৰে সৈতে কথা নকৈছিল। এইবিলাক যি হওক, বোপাই নাইকিয়া মই মোৰ মালিক হৈ লৈ পানীয়ে যাবে সমানে নাও চলাবলৈ ধৰিলোঁ। আই আছে বা নাই, খালিলে খাম, গেমালিলে পতাম; এই কথা।

কানি ভাং ফটিকাৰ খোলাত অচিৰতে মোৰ নাম ফাটি পৰিল। ভাং খানি খাই ৰাগী লগাই ফুৰোঁ দেখি এদিন আয়ে মোক গালি পাৰিলে। এনে গালি খাই থকা উচিত নহয় ভাবি, এদিন আইৰ পেৰা ভাঙি কেৰু মণি আদি কৰি তেওঁৰ যি কেইডাল অলঙ্কাৰ আছিল, গোপাকে মনে মনে উলিয়াই লৈ দেশ ভ্ৰমণ কৰিবলৈ ওলালো।

মানুহৰ দীঘল জীৱনটোত যিমানবিলাক ঘটনা ঘটে এটাইবিলাক ধান নহয়; তাত তুঁহ-পতানৰ ভাগ অধিক থাকে। সেই দেখি জীৱনৰ এটাইবিলাক তুঁহ-পতানেৰে কাকত কিতাপৰ খৰপেৰা ভৰাবলৈ যি যায় তাৰ মূৰৰ ভিতৰতো তেনে তুঁহ-পতানৰ ভাগ খেছিকৈ যে ঈশ্বৰে ভৰাই দিছে, এনে মত নিৰ্ভয়ে প্ৰকাশ কৰিব পাৰি। কোনোৰ জীৱনত এটা, কোনোৰ জীৱনত তিনিটা, কোনোৰ পাঁচোটা, কোনোৰ সাতোটা, কোনোৰ নটা, কোনোৰ এঘাৰটা ঘটনা লোকক শুনাবৰ যোগ্য। অধিক ভাগ মানুহৰ জীৱন যে একেবাৰেই কাক বাঁহৰ চুঙা, এই কথাষাৰ মনেমনে আপোনাসকলক কৈ থওঁ নেপাহৰিব। সেই দেশ ভ্ৰমণ কৰিবলৈ ওলাই যোৱা কালৰে পৰা আজিলৈকে মোৰ জীৱনত যিবিলাক ঘটনা ঘটিছিল, জাৰি ছালি তাৰে ভিতৰৰ গোটাচেৰেক বগা তুলা-পাতত কলা মহীৰে লেখি থবলৈ ওলালো, “বিয়া-দপ্ মাফ” কৰিব।

ভাবিৰাম গাঁওবুঢ়াৰ ঘৰ ৰনগাঁৱত। গাঁওবুঢ়াৰ চেনিচম্পা নামেৰে এজনী গাভৰু জীয়েক আছিল। বুঢ়ী আৰু পোৰ মূৰখোৱা বুঢ়াৰ চেনিচম্পাই কণাৰ লাখুটি। এই কাৰণেই বুঢ়াই লাখুটিক খিয়া দি উলিয়াই দিয়া নাই, বা দিব পৰা নাই বা দিবৰ মন কৰা নাই। বুঢ়াৰ ইচ্ছা, এটা ভাল লৰা পালে ঘৰ জোঁৱাই চপাই লয়। শৰ গোন্ধ পালে শগুণ, ফুলৰ গোন্ধ পালে ভোমোৰা গোট খোৱাটো পুৰণি কালৰ পৰা চলি অহা নিয়ম। চেনিচম্পাৰ ৰূপ আৰু গুণে বা গোন্ধে টানি আনি লুভীয়া ভোমোৰা-সকলক বুঢ়াৰ ঘৰত পুৱা গধূলি একত্ৰ কৰাটোও পুৰণিকলীয়া নিয়মৰ বহিভূত নহয়। ভোমোৰা-সকলৰ কৰ-কাটল কানি, ভাং, কল, কুঁহিয়াৰ, গাখীৰ, গুৰ ইত্যাদি। গতিকে, ঈশ্বৰৰ আৰু চেনিচম্পাৰ অনুগ্ৰহত, ভাবিৰাম গাঁওবুঢ়া কানি-ভাং আৰু জলপানৰ দুখত পৰা নাছিল। সাজ লাগিল, আতোলা কানি লৈ অনিৰাম ভোমোৰা আহি মাত লগালে “গাঁওবুঢ়া আছেনে?” গাঁওবুঢ়া,—“আছোঁ বোপাইহে আহ।”

দুটা মোহনী ভাঙৰ কলি হাতত লৈ ধনীৰাম ভোমোৰাই দুৱাৰ মুখৰ পৰা মাত লগালে, “গাঁওবুঢ়া আছেনে?”

গাঁওবুঢ়া—“কোন?”

“মই ধনীৰাম।”

গাঁওবুঢ়া—“অ ধনী, আহ।”

ধনীৰ পিছত মণি ভোমোৰাই এঘট গুড় লৈ আহি মাত দিলে “মই মণিৰাম।”

গাঁওবুঢ়া—“আহ বোপাই, ভিতৰ সোমাই আহ।”

খলুৱা ভাবিৰামে কিন্তু ভাং কানি কল চেনি খাইছেহে খাইছে, চেনিচম্পাক দিম বুলি কাকো খাতাংকৈ কাইক খোলা নাই, আৰু সোনকালে বুলিব যে এনে আগন্তুকো নাই।

মোৰ মনটো কি পদাৰ্থ, চেতন নে অচেতন নে উদ্ভিদ, আজিলৈকে মই তত ধৰিব নোৱাৰিলোঁ। সি পানী দেখিলে মাছ হব খোজে, মাটি দেখিলে গছ হব খোজে, আকাশ দেখিলে চৰাই হব খোজে, ফুল দেখিলে ভোমোৰা হব খোজে। আজি চম্পা-ফুল দেখি জাকৰুৱা ভোমোৰাৰ লগ পাই গিও ভোমোৰা হৈ ভাবিৰাম গাঁওবুঢ়াৰ ঘৰত “প্ৰৱেশম-কৰোৎ”, অৰ্থাৎ প্ৰৱেশ কৰিলে। নতুন চেঙেলি টোপৰ কাষলৈ অহা দেখি বুঢ়া গাঁওবুঢ়াৰ বুঢ়া মন জুইৰ ওপৰৰ পগোৱা গাখীৰ উতলাদি উতলিবলৈ ধৰিলে। টোপ জোকাৰি-পোকাৰি বুঢ়াই টকলিয়াইহে টকলিয়ায়। বুঢ়াৰ অভ্যাৰ্থনা আৰু আদৰত, নিমিষতে মই দুখীয়া পোত গলো। “হেৰ, চেনি-চম্পা আলহীলৈ গুড়ে পিঠাগুৰিয়ে আন,” “হেৰ চেনি, সেই পকা ভীমকল আখি লৈ আহ,” “হেৰ চম্পা, মোৰ কানিৰ টেমাটো আন,” “আইটি, হেদালিত থকা মোহনী ভাঙৰ সেই ভাল কলিটো দে” ইত্যাদি।

অধিক কি, সেই দিনা সন্ধ্যা লগাৰ পৰা ৰাতি ৯ মান বজালৈকে ভাবিৰাম গাঁওবুঢ়াৰ অনুগ্ৰহত আৰু ঘৰত, আপোনাসকল ৰাইজৰ ভৰিৰ ধূলি এই নিচলাই এখাৰ চিলিম ভাং, সাতোটা কানি-টিকিৰা, তিনটা ভীমকল, এখামোচ গুড়, এবাটি পিঠাগুৰি পাৰ কৰি, গাওবুঢ়া আৰু চেনিচম্পাৰ ওচৰত চকুৰ লোৰে মেলানি মাগি বহা-মুৱা হৈ খোজ ললো।

পক্ষটো কৃষ্ণ, ৰাতিটো এন্ধাৰ খোপনৰা। আকাশত তৰা বোৰকবো জিলিকিছিল। খোৰকবো খোলাৰ মানে এই যে ওপৰ ফালে চোৱা নাছিলো আৰু মোৰ চাবৰ ইচ্ছা বা অভিপ্ৰায় বা অৱসৰও নাছিল; কাৰণ মোৰ তেনে স্বভাৱ নহয়। প্ৰথমতে এছোৱা বাট, আন্দাজে আন্দাজে খুপি খুপি আহিলো। বৃত্তিকাত আনুকাইৰ পাদপদ্ম দুটি পৰিছিল নে নাই

গম ধৰিব পৰা নগৈছিল। তাৰ পাছত হঠাৎ চেনিচম্পা সুন্দৰীৰ ৰূপে-গুণে আমুকাইৰ মনত বিজুলী মৰাদি মাৰিলত মন পোহৰ হৈ উঠিল। ঘূৰাই-পকাই চেনিচম্পাৰ ৰূপ-গুণ মনত যিমান পাগুলিবলৈ ধৰিলো, সিমান খোজ বেগেৰে (ক'ত কব নোৱাৰোঁ, অনুমান মাটিত) পৰিবলৈ ধৰিলে। কোনো আহি এবাৰ এখন চকোৱাত খুন্দা খাই উফৰি পৰা গল,—অৰণ্যে খণ্ডত। চকু ৰঙাই সুধিলো "তই কি কলি? কি কলি? তোম ক্যা বলা? কি চেনিচম্পা সুন্দৰী নহয়? হোৱাট ডু ইউ চে?—নিশ্চয় সুন্দৰী! নিশ্চয় নিশ্চয় চেনিচম্পা সুন্দৰী! নিশ্চয় আই চে! এশবাৰ সুন্দৰী! জৰুৰ! জৰুৰ চেনিচম্পা সুন্দৰী। খুব্ চুৰত্। জৰুৰ চেনিচম্পা খুব্ চুৰত্ দেল্ খোচ্। যো বলেগা চেনিচম্পা সুন্দৰী নাহি হ্যায়, উচ্‌কা চাত হাম লড়েগা।" খংটো অলপ কোমল হৈ গলত চাওঁ দেখোন সেইখন ৰাঁহৰ চকোৱাহে, চেনিচম্পাৰ বিৰুদ্ধপক্ষীয় কোনো নিন্দক লোক নহয়। তথাপি চকোৱাৰ গাতে এটা ডাঙৰ ভুকু মাৰি, চেনিচম্পা সুন্দৰীৰ বিপক্ষ দলৰ সেনাপতিক বধিলো ভাবি, ৰণ শেষ কৰি, বাট খিচাৰি খপিয়াই-জপিয়াই যাবলৈ ধৰিলো।

যাওঁতে বাটে বাটে অতি উলাহেৰে বিঙিয়াই কবিতা কৰি গৈছোঁ :—

চেনিচম্পা!

তুমি সুন্দৰী, মই সুন্দৰ,
তুমি কুঁৱৰী, মই কোঁৱৰ।
মই সোণ, তুমি মণি,
মই ৰজা, তুমি ৰাণী।
মই পাৰ্টি, তুমি গাৰু,
মই আখৈ, তুমি লাড়ু।
মই চেনি, তুমি পানী,
মই হোকা, তুমি কানি।
তুমি ভাং, মই চিলিম,
তুমি ধোঁৱা, মই গিলিম।
তুমি দৈ, মই ঘোল,
তুমি সিজা, মই জোল।
তুমি মৌ, মই মাখি,
তুমি ফুল, মই পখী।

এইবিলাক বলকি গৈ আছোঁ, এনেতে সমুখতে কিবা এটা বহি থকা যেন দেখি ধপহ্ কৰে চটত নাও লগাদি থৰক খাই ৰলো, ভাবিলো, এইটো কৰবাৰ ভলুকা কুকুৰ বাটতে বহি আছে। কি বিপদ! বাটত বাড়ি এই ভলুকা কুকুৰ বহি থাকে কিয়? এইটো কাৰ কুকুৰ? বাতি বাটকৰা মানুহৰ বাট ভেটি বহি থাকিবলৈ কোনে এইদৰে কুকুৰ এৰি দিয়ে? ঠিক এইটো সেই বাঘে-খোৱাৰ (কিনাৰাম নে যিনাৰাম, কি তাৰ নামটো জানো) কুকুৰ। কিনাৰাম বাঘে খোৱাৰ কি অন্যায়! এনে দগাবাজি কৰি, লোকৰ বাট আগুৰি বহি থাকিবলৈ, ৰাতি কুকুৰ এৰি দিয়ে বা কেলৈ? কাইলৈ পুৱা নিশ্চয় কৈছোঁ, এই বাবে, কিনাৰামক আমাৰ-চেৰেক গালি পাৰি আহিম গৈ। "মোৰ মইনা কুকুৰ, কুকুৰ কুৰ্‌কুৰ্, মোক বাট এৰি দিয়া, বহুত ৰাতি হল মই ঘৰলৈ যাওঁ! বাটৰ পৰা গুচা মোৰ সোণটি, কাইলৈ তোমাক সঁচাকৈ কৈছোঁ, আগলি কলাপাতৰ এপাত ভাত খাবলৈ দিম। উঁচ্! উঁচ্! উঁচ্! কি নেৰ বাট? নেৰ? হাঁহি মুখেৰে কথা কবৰ দেখিছু হবলা, গুচ বাটৰ পৰা গুচ্। মোৰ খং নুতুলিবি দেই, একেবাৰেই কঁকালটো ভাঙি থম বুলি বুজ পোৱা নাই হবলা? গুচ! গুচ! কৰবাৰ ভতুৱা কুকুৰ গুচ!" এই বুলি খংকৈ কুকুৰৰ গাত এটা জয়ধন গোৰ শোধাই দিলো। গোৰ খাই কুকুৰৰ ভ্ৰুভঙ্গেই নাই। অথচ লেবেলা শৰীৰ উফৰি তিনিহাত মান দূৰত পৰিলো। পৰিয়েই "কেনে পালি" বুলি কৈ, লাহে লাহে উঠি খোৱাই খোৱাই কাষৰ কাটি গুচি যোৱা হল। তিনি বেওঁ-মান মাটি আঁতৰি গৈহে আমুকাইৰ মনত খেলালে যে, সেইটো কুকুৰ নহয় গছৰ মুঢ়াহে। অথাটে আহি মই গছৰ মুঢ়া পাইছিলো। যি হওক চেনিচম্পা কুঁৱৰীৰ অৰ্থে গছৰ মুঢ়াৰে সৈতেই জানিবা অলপ মালশ্ৰম কৰিলো, এই ভাবি মনত সান্ত্বনা লভি টুক্‌টুক্ কৰে যাবলৈ ধৰিলো।

গছৰ মুঢ়াত গোৰ মাৰিয়েই নে বহুত বাট খোজ কাঢ়ি কব নোৱাৰোঁ, মোৰ ভৰি বিষাবলৈ ধৰিলে। আপোনা আপুনি কাতৰ কৰি কৈ গৈছো, "চেনিচম্পা সুন্দৰী! তোমাৰ অৰ্থে যুঁজ কৰি মই ঘাইল হৈছোঁ, মোৰ ভৰিত বিষ হল, এই কথা যেন তুমি নেপাহৰা। নিশ্চয় এই বাবে মই তোমাৰ ওচৰত বেছি পুতৌ পাম। উঃ! মোৰ ভৰি বিষাইছে। চম্পাচেনি মোৰ ভৰিটো অলপ পিটিকি—শ্ৰীবিষ্ণু! বলিয়াৰ নিচিনাকৈ মই কি কথা কৈছোঁ! মইহে তোমাৰ ভৰি পিটিকিব পাওঁ। তোমাৰ চেনি যেন সোৱাদ, তুলা যেন কোমল, শৰীৰ যেন বগা হাতে মোৰ এই লোৱা-চুৰ্ৰ্ যেন ভৰি কেনেকৈ পিটিকিব? অসম্ভৱ! অসম্ভৱ! অসম্ভৱ!"

এইবিলাক বলকি গৈ থাকোঁতে থাকোঁতে অকস্মাৎ মনত খেলালে এই নাখুটি নে ভৰি কি জানো এই দুভালেৰে সকলৰে পৰা বাট বুলিবই লাগিছো দেখোন তেও তাৰ আৰু জিৰণি নাই। আমনি লাগিল বাপুহে আৰু ভৰিৰে খোজ কাঢ়ি আৰু নোৱাৰি। অন্ততঃ মাহচেৰেক ভৰিক জিৰাম

দিয়া যাওক। "চন্দ্ৰ সূৰ্য্য সাক্ষী হবাহঁক! আজিৰ পৰা মিলাবামে বাগৰি বাগৰি বাট বুলিব নিশ্চয় কৰিলে।" এই বুলি মই ভনীগুটি বাগৰাদি বাগৰি যাবলৈ ধৰিলা। তিনি বেঙ্গমান বাট সেইদৰে বাগৰি আহি তিনি মাহ মানৰ বাট অহা যেন লাগিল। "আচ্ছা তিনি মাহতো বাগৰি বাট বুলিলো, তিনি মাহ আকৌ ভৰিক খটোৱা যাওক। এই তিনি মাহ খাই বৈ তেওঁলোক নিপোটল হৈ পৰিছে আৰু ছুটা নাই।" এই বুলি লাহেকৈ উঠি ঈশ্বৰে দিয়া ভৰি দুটাক কামত লগাই দিলো। পুহ মহীয়া ৰাতি দুপৰ মান হল, জাৰে কামোৰা যেন পালো। ভাবিলো, ঘৰ পালেই মই আজি হেপাহ পলুৱাই একুৰা ডাঙৰ জুই পুৱাম।- আজি নো বাটটো ইমান দীঘল হল কেনে? নুচুকায় হে নুচুকায়। ৰাতি আলিবাটবোৰ নিয়ৰত কুমলি ৰবৰ এঠা বৰাদি ৰাহে নে কি?

গৈ থাকোতে থাকোঁতে এটা পৰ্ব্বতৰ ওপৰত জুই দেখি, মোৰ চোলাৰ মোনাত থকা চেলেউলৈ মনত পৰিল। পৰ্ব্বতটো মই থকা ঠাইৰ পৰা কিজানি তিনি দিন মানৰ বাটৰ দূৰৈত। কিন্তু তেতিয়া আমুকাইৰ শৰীৰত, ওচৰ আৰু দূৰৈৰ জ্ঞান আছিল যেন মনে নধৰে। জাৰ খেদাবৰ মনেৰে চোলাৰ মোনাৰ পৰা চেলেউটো উলিয়াই পৰ্ব্বতৰ ওপৰৰ জুইৰ ফালে টোৱাই এঘণ্টামান বেলি হুপিবই লাগিছোঁ, ওঠ বিৰাবলৈ ধৰিলে, তথাপি চেলেউকে জুইকে লগ লগাব নোৱাৰিলো। ওৰে ৰাতি হুপিয়েই থাকিলোহেঁতেন কি জানি যদি ওচৰৰে গছৰ পৰা এটা ফেঁচাই "নিওঁ! নিওঁ" বুলি এনেতে মাত নলগালেহেঁতেন। "নিওঁ?" কি নিবি, মোৰ চেলেউটো? কুম্পানীৰ মলুকত ৰাতি দুপৰত চুৰি? ডকাইতি? পাঁজী কাহেকা! তোম কোন হ্যায়? ৰ তই, হাম এতিয়াই থানামে খবৰ দি যাংগা! "নিওঁ?" হামাৰা চোলাকা মোনামে যদি ফেৰ চেলেউটো সুমাই খংগা তব তোম ক্যা নেংগা? মহাৰাণীৰ মলুকত অধৰম হল। ভগৰা চোৰৰ তাপত দুখীয়া প্ৰজাই ৰাতি দুপৰত পথাৰৰ মাজত নিশ্চিন্ত মনে চেলেউ এটাও হুপিব নোৱাৰা হল॥

চেলেউটো চোলাৰ মোনাত সুমাই থৈ ধৰ-মুৰা হৈ যাবলৈ ধৰিলো। এইবাৰ বাটৰো অন্ত পৰিল, মোৰ ৰহাও পালোগৈ। পায়েই দুৱাৰ মেলি তুঁহ জুইকুৰাত কোঁচ কোঁচ কৰে ফু লগাইছোঁ, এনেতে কোনোবাই যেন মোক মাত লগালে "মিলাই!" "মিলাই!"

কোন, কোনে মাতিছ? আকৌ চোৰ আহি এইখিনি পালেহিনে? এই বুলি উঠি অহৰা খৰি এডাল লৈ জুই আওনি কোবাই ঘৰৰ চাৰিওফালে ঘুৰি চাই আহিলো, কোনো নাই। চোলাৰ মোনাত চেলেউটো নিৰাপদে আছে নে নাই হাত সুমাই চাই নিশ্চিন্ত হৈ চাকিটো লগালো।

আকৌ কোনোবাই যেন চিনা মাতেৰে মাত লগালে "মিলাৰাম, অ' মিলাৰাম!"

"কোন?"

"মই হে।"

"কোন মই হে?"

"মই তোৰ বাপেৰ।"

"মোৰ বোপাই? কি অদ্ভুত কথা? মোৰ বোপাইৰ হাড়তো বন গজিবৰ আজি তিনি বছৰ হল?"

"এৰা তোৰ বাপেৰ।"
"বোপাই, তুমি কৰ পৰা মাতিছা?"
"এই দুৱাৰ-চুকৰ পৰা।"
"দুৱাৰ চুকত বোপাই তুমি কি কৰিছা?

"কি কৰিম, তই মতে বহুৱাই থৈছ, ততে বহি আছোঁ।" উঠি গৈ দুৱাৰচুকত চাওঁ, কোনো নাই।

"বোপাই, দুৱাৰচুকত কতা?"

"কিয় তই মোক দেখা নাই নে, মই ডাঙৰ চিলিম হৈ ওভতা গোৰে বহি আছোঁ।"

"কি বোপাই, তুমি ডাঙৰ চিলিম?"
"এৰা মিলাই, মই মৰি ডাঙৰ চিলিম হলো।"

"বোপাই, তুমি মৰি ডাঙৰ চিলিম হলা, কি লাজৰ কথা।"

"এৰা মইনা, মই মৰি ডাঙৰ চিলিম হলো। লাজৰ কথা কি আছে; তোৰ দদায়েৰতো মৰি এইয়া মোৰ কাষতে ধোঁৱাখোৱা হৈ বহি আছে।"

"কৃষ্ণ শঙ্কৰ গুৰু! মোৰ দদায়ো মৰি ধোঁৱা-খোৱা হল! তুমিও ডাঙৰ চিলিম হলা! ময়ো মৰি কানিৰ টিকিবা নহলে বক্ষা।"

"এৰা মোৰ পুতাই, কপালৰ লিখন কোনে খণ্ডাব? তোৰ কপালত যদি লেখিছে, তয়ো মৰি কানিৰ টিকিবা হবি।"

"বোপাই, তোমাক কি লাগে?"

"মোৰ জাৰ লাগিছে সোণাই!"

"জুই পুৱাবা নে গাত কাপোৰ লবা?"

"অ'ৰে নুপুৰাওঁ, গাতো কাপোৰ নেলাগে। মোৰ মইনা, মোৰ ভোকত জ্বৰ লাগিছে।"

"কি খাবা ?"

"ভাং।"

"কি বোপাই, তুমি ভাং খাবলৈ শিকিলা কেতিয়াৰ পৰা ? জীয়াই থাকোঁতেতো নেখাইছিলা ?"

"মিলাই, সঙ্গদোষ বৰ দোষ। লগৰীয়াৰ পালত পৰি শিকিলোঁ। সম্প্ৰতি মোক এহোপা ভাং খুৱা, জাৰত ঠক্ ঠক্ কৰে কঁপিব লাগিছো।"

মই চিলিমটো আনি এচিলিম ভাং লগাই কলোঁ, "বোপাই খোৱাঁ।"

বোপায়ে উত্তৰ দিলে, "মিলাই, তই আগেয়ে হুপি জুই লগাই দে। মই বুঢ়া মানুহ, তাতে সোলা, হোপাটো টানকৈ মাৰিব নোৱাৰিম।"

মই হোপা মাৰিছোঁ, এনেতে বোপায়ে মাত লগালে, "মিলাই ঐ ! তোক মোৰ আৰু এটা কথা কবলগীয়া আছে।"

"কি ?"

"চেনিচম্পাক তই বিয়া নকৰাবি।"

"কিয় ?"

"তোৰ মাৰে মোক সুখ দিছিল নে ?"

"মোৰ আই দজ্জ্বী। চেনিচম্পা তো দজ্জ্বী নহয়। চেনিচম্পা সোৱাদ।"

"চেনিচম্পা যে দজ্জ্বী নহয় তই কেনেকৈ জানিলি ? পোনতে দিনচেৰেক তাই তোক তইহে-তই, মইহে-মই কৰিব, কিন্তু পুৰণি হলেই দিনৌ পুৱা-গধূলি খুন্দাখুন্দি দন্দৰ তাপত ঘৰত তিষ্ঠিব নোৱাৰা হবি। তোৰ মাৰৰ লৈতে মোৰো সেয়ে হৈছিল। আৰু এটা কথা ; তিৰোতাক বস্ত্ৰ-গোপ অলঙ্কাৰ-পাতি সবহকৈ এগোপা দিব নোৱাৰিলে তিৰোতা বিয়া কৰাব নেপায়, কৰালেই দুদিনতে ঘৰ গুচি বাঁহ-তল হব। অকলশৰীয়া মানুহ এক-ৰকম সুখীয়া। 'অকলশৰীয়া জীৱন, চমকা-চমকে পিয়ন' বুলি বুঢ়া লোকে কয়। মই জীয়াই থাকি মাৰে লৈতে গৃহবাস কৰি থকাতকৈ, মৰি ভাতৰ চিলিম হৈ সুখে আছোঁ। তোৰ দদায়েৰকো সুধিছিলো, সিও মৰি, খুৰীয়েৰৰ হাত সাৰি, ধোঁৱা-খোৱা হৈ অতি সুখে আছে বুলি কৈছে। হেন জানি মোৰ বোপাই তই বিয়া নকৰাবি।"

"বোপাই, চেনিচম্পা খড়িয়া মোৱাণী। তাই কেতিয়াও তেনে নহয় ; বোপাই তুমি তাইৰ কামতহে চেনিচম্পাৰ বদনাম কৈছা। বোপাই, তোমাৰ গাত ৰাগি ধৰকৈ লাগিছে নে ?"

বোপায়ে মোৰ কথাৰ উত্তৰ নিদিলে। বোপাই ! বোপাই ! বুলি আৰু দুবাৰ মাতি উত্তৰ নাপাই খং কৰি গৈ পোৱাপাটীত উঠি শুই থাকিলো। পিছ দিনা পুৱা দহমান বজাত টোপনি কাতি কৈ থৈ উঠি, বোপাইৰ কথালৈ মনত পৰি, কিবা মনত বিষাদ লাগিল।—চেনিচম্পাৰ আশা ভৰসা লোপাকৈ আঁতত এৰি থৈ, টোপোলা-টাপোলি বান্ধি লৈ সেই গাঁৱৰপৰা গুচি গলোঁ।

কেকো কথা

অমাই-থনাই আহি বাণ ৰজাৰ মলুক পাই, তাতে দিনদেক থাকিবৰ মনস্থ কৰি এঠাইত ঠাই ললো। তিনি দিনৰ ভিতৰতে তেজপুৰৰ তিনি চুকত থকা কানি-ভাওৰ খোলাৰে লৈতে মোৰ বান্ধ সম্বন্ধ লাগিল। মই দেখিছোঁ, ত্ৰিভুবনৰ ভিতৰত মই মলৈকে যাওঁ, মোৰ কাম তিনিটাৰ থাহিৰে চাইটো নহয়। লেখৰ এই তিনিটা কামৰ প্ৰথমটো খোৱা, দ্বিতীয়টো ৰাগি লগোৱা, আৰু তৃতীয়টো শোৱা। এই তিনি কামৰ বা গুণৰ খাতিৰত আমুকাই কেতিয়াও বন্ধুৰ অভাৱত নপৰো কিয়নো, আমুকাইৰ নিচিনা নিকৰ্ম্মা বা ত্ৰিকৰ্ম্মা মানুহ ঈশ্বৰে এই পৃথিৱীত নিচেই তাকৰকৈ চজিছে বুলি নেভাবিবা। চোৰে চোৰৰ ঠেং দেখে। কানীয়া ভতুৱাইও কানীয়া ভতুৱাৰ ঠেং থাকিলে নেদেখিবৰ একো কাৰণ নাই। গৰ্ব্ব কৰিব নেপায় ; তথাপি কওঁ, যে দহ ভকতৰ ভবিৰ ধূলি এই শ্ৰীমান মিলাৰাম যেখিও এজন লেখৰ ঠেংথকা কানীয়া। গতিকে, তেজপুৰৰ উজ্জ্বল ৰত্ন ভেলাই, ভোবোলা আৰু ভেকোলা ৰবকানীয়া-হঁতে আমুকাইৰ ঠেং চকুৰ পচাৰতে দেখি পেলো-ৱাটো আশ্চৰ্য্য কি ? আৰু দেখিলে কি তেওঁলোক আমুকাইৰ লগ লাগিল কি।

তোমালোকে মানা বা নামানা, এই পৃথিৱীত সকলোৰেই ৰজা ; আৰু সকলোৰে একো ভূখৰি নিজ নিজ ৰাজ্য আছে। মহাৰাণী মোৰ ওপৰত, মই মোৰ মৈণীৰ ওপৰত, মোৰ মৈণী তেওঁৰ বেটী-জনীৰ ওপৰত, বেটীজনী তাইৰ বাঢ়নীটাৰৰ ওপৰত আৰু বাঢ়নীটাৰ চোতালৰ ধূলি-আকতিৰ ওপৰত যে ৰজা এই কথা আগৰ লিগৰত বিচাৰিলেও পাবা। আজি যি মহাপুৰুষৰ গুণশীলৰ অলপ আভাষ দিবলৈ কলপ ধৰিছোঁ, তেওঁৰ নাম কেকো ৰজা। তেওঁ কানি-ভাওৰ খোলাৰ ওপৰত ৰাজ-ৰাজেশ্বৰ দুটী-পুৰন্দৰ, কানীয়াৰ মনত তেওঁৰ কথা

ৰেদ-ৰাণী, তেওঁৰ মত মনুৰ মত, তেওঁৰ হুকুম মহাৰাণীৰ আইন। ককাই পৰৰ খৰচত পালে, তিনি তোলা কানিৰ টিকিৰা, এশ আঠ চিলিম ভাং আৰু তিনি টেকেলি চাহ একেবাতিৰ ভিতৰতে পাৰ কৰি দিব পাৰে বুলি তেওঁৰ খ্যাতি আছে, আৰু নিজৰ খৰচত হলে তাৰে তিনি ভাগৰ এভাগ পাৰে বুলি শুনিলো। আৰু এটা আচৰিত ক্ষমতা তেওঁৰ গাত থকা শুনা গল। ওপৰত কোৱা কানি-ভাং আৰু চাহৰ ঠগি আগ বঢ়াই দি প্ৰাৰ্থনা কৰিলে, ককাই জাৰি জোকাৰি তেওঁৰ টেকেলীয়া পেটৰ পৰা হেনো তিনি বুৰি অতি বিতোপন সাধু উলিয়াই দিব পাৰে।

ভে, ভে, ভো * ধান্ধসকলৰ মুখে ককাৰ গুণশীল শুনি, মোৰ ককাৰ মুখপদ্ম দৰ্শন, আৰু তাৰ পৰা খিগলিত অমৃতোপম সাধুকথা শ্ৰৱণ কৰিবৰ লোভ জন্মিল। ৰজাৰ ওচৰলৈ "বিক্তহস্তে নগন্তব্যং" জানি গাঁথিৰ কেঁচা পয়চা ভাঙি কানি ভাং কিনি লৈ তিনি ৰান্ধ ভে-ভে-ভোৰে সৈতে ককাৰ ওচৰ পালোগৈ।

কেকো—"তই কোন?"

"মোৰ নাম মিলাৰাম। ঘৰ উজনিত।"

"সকাম?"

"ককাৰে সৈতে আলাপ পৰিচয়। শাস্ত্ৰত কৈছে,—

"সংসাৰ খিষখিৰ্ধস্য দ্বে ফলে অমৃতোপমে,
কাইখামৃতৰসাস্বাদং আলাপঃ সজ্জনৈ সহ।"

অৰ্থাৎ ককা, সংসাৰ মৰমিহৰ গছৰ গুটি দুটা; ভাং-কানি-কটিকাৰ ৰসৰ সোৱাদ লোৱা, আৰু ককাৰ নিচিনা সজ লোকৰ সৈতে আলাপ পৰিচয় কৰা; কাৰণ, "কাইখামৃত" অৰ্থাৎ কোন কেতিয়া মৰে তাৰ নিশ্চয় নাই, আৰু এই দুই কাম নকৰি মৰি গলে মানপী জনম হেলাতে গল।"

ককা—"মই সন্তোষ হলোঁ, তোৰ শাস্ত্ৰ জ্ঞান আছে। এটা কথা, ফটিকাটো আমাৰ গুৰু-ঘৰৰ পৰা নিষেধ দেখি আমাৰ নচলে। সি দুটা অনুগ্ৰহত এক প্ৰকাৰ চলি গৈছে।"

"ককাই ঠিক কৈছে" বুলি মুৰ দোঁৱাই মই লৈ যোৱা কানি-ভাং আগবঢ়াই দিলো।

ককা—"মিলাৰাম, তই দিনৌ কিমান কানি খাব?"

"ককা, আতোলামান্ হব।"

ককা—(মিচিকীয়া হাঁহি) "আজিৰ পৰা তই গাঁথিৰ কেঁচা পয়চা ভাঙি কানি খাব নেলাগে। নিতৌ এবাৰ আহি মোৰ গাটো চেলেকি গলেই তোৰ কাম চলিব।"

ইয়াৰ পিছত ভে-ভে-ভো ৰান্ধৱসকলে সৈতে ককাৰ প্ৰসাদ লৈ কৰযোৰে প্ৰাৰ্থনা কৰিলো, "ককা, এটি সাধু শুনিবৰ ইচ্ছা বল।"

ককা—"বোপা, শাস্ত্ৰ চাৰিখন; আগম, জঙ্গম, পুৰাণ, পতঙ্গম। কোন খনৰ পৰা কম?"

"ককা, জঙ্গমৰ পৰা এটি কওক, আগম পুৰাণৰ কথা শিশুমতি আমি বুজিব নোৱাৰিম।"

ককাই আৰম্ভ কৰিলে—

"আজি জঙ্গমৰ পৰা বিয়াগোম পক্ষীৰ সাধু কম। কাণ নলৰাই মন দি শুনিবি মোৰ বোপাইহঁত। ত্ৰেতাযুগত লোণসাগৰৰ পাৰৰ এজোপা শিমলু গছত এক দুৰ্জ্জয় বিয়াগোম পক্ষী আছিল। সাগৰ সাত-খন। লোণসাগৰ, ঘিউসাগৰ, তেলসাগৰ, খাৰণী-সাগৰ, ফটিকাসাগৰ, কানিসাগৰ আৰু পানীসাগৰ। দ্বীপো সাতোটা। জম্বুদ্বীপ, শাকদ্বীপ, নৱদ্বীপ, উপদ্বীপ, মালদ্বীপ, লঙ্কাদ্বীপ আৰু প্ৰদীপ। এই সাত সাগৰ আৰু সাত দ্বীপত চাৰি মুঠি জীৱৰ বাস। উৰণ, বুৰণ, গজন, গমন। দ্বাপৰ যুগৰ শেষত উৰণ জীৱৰ ভিতৰত সেই বিয়াগোম পক্ষীয়ে দুটা কণী পাৰিলে। উমনি দি থাকোঁতে এটা কণী ফোলা হৈ ফুটি ঘিউসাগৰ হল; আৰু সিটো কণী নুফুটি ঠেৰেহা মাৰি হিমালয় পৰ্ব্বত হল। ঘিউসাগৰৰ 'দখলীস্বত্ব' পাবৰ অৰ্থে দেৱতা আৰু অসুৰৰ মাজত দুৰ্ঘোৰ ৰণ লাগিল। ৰণত অসুৰ-বিলাক হাৰি পলাই আহি এই তেজপুৰ নগৰ পাতি বাস কৰিলে। তেজপুৰৰ কাছাৰী ঘৰৰ ওচৰত যি শিলৰ খুটা-চতি পৰি আছে, সেই খুটা-চতি অসুৰৰ ৰজাৰ ঘৰৰ খুটা-চতি। তেনে খুটা-চতি আজিকালিৰ কোনো শিলা-কুটায়ে কাটিব নোৱাৰে। শিলাকুটা গাঁৱৰ গায়ন-বৰাৰ পুতেক মধুৰাম শিলা-কুটায়েই বৰ-শিলাকুটা, ইপিনে পটা-গুটি এটাকে সি ভালকৈ কৰিব নোৱাৰে। গায়নবৰাই ইপিনে পুতেকৰ গপত ওফন্দি ফুৰে। কিন্তু সিদিনা এটা পটাগুটি কাটোতেই বৰশিলাকুটাৰ দাঁত নিকটু খাই গল। ভোৰোলৰ মনত থাকিব পায়, সেই পটাগুটিটোৰেই হলিৰামে সিদিনা বৈণীয়েকক গধূলি ভাত নাৰান্ধি শুই থকা অপৰাধত চোৰ খুন্দাদি খুন্দিলে। মই ইয়ানকৈ হলিক হকা-বাধা কৰিছিলো, বোলো, তোৰ বৈণীয়েৰেক, জিলা টেকেলাৰ ঘৰত সোমোৱা সেই খহুৱা গৰু চোৰটো পাইছ নে কি, যে ইমানকৈ কিলা? খহুলোৰ কিন্তু মনৰ ভাব, এগোৱালি গৰুৰ ভিতৰত বাছকবনীয়া সেই দাঁতে উঠা বগা বলদটোৱে

* ভেদাই, ভেকোলা আৰু ভোৰোৱাৰ সংক্ষিপ্ত নাম।

হাত দিছিল। সেই বলদটো কিন্তু নিয়াহেঁতেন জিনাৰ হাত ছিগিলহেঁতেন; আৰু এই বছৰলৈ খেতিৰ ভিকাচন ভাগিলহেঁতেন। জিনাৰ মৈণীয়েকে যৌতুকত অনা সেইটো গৰু। জিনাৰ মৈণীয়েকে গিৰীয়েকৰ ঘৰলৈ আহি ধৰবাপেকক কলে, "বোপাই, বকুলীক অনেক ধন-বস্তু দি তুমি উলিয়াই দিলা, মোক একো নেলাগে মাত্ৰ এই যগা বলদ গৰুটো দিয়া।" বকুলীক তাইৰ ভায়েক মতিলৈ বিয়া দিছে। লোকে যিযে কওক মতি কিন্তু লৰা ভাল, গুণী। সিদিনা যে বালিবধ ভাৱনাত সি অঙ্গদৰ ভাওটো দিলে। ধইন! ধইন! এনে ভাও আগেয়ে কোনেও কেতিয়াও কতো দিব পৰা নাই, অমৰাতলীয়া গোসাঁইৰ ঘৰত এই বুঢ়া শৰীলেৰেই আগেয়ে ভালেমান ভাৱনা দেখিছোঁ কিন্তু কৃষ্ণক চিন্তি সেই বালিবধ ভাৱনাৰ নিচিনা ভাৱনা নহৰ নুপজিব। আইগোসাঁনীয়ে মতিৰ ভাও দেখি ইমান সন্তোষ পাইছিল, যে পিছদিনা ত'ত মতিক মাতি আনি এযোৰ খম্‌খমীয়া মুগাৰ চুৰীয়া বঁটা দিলে। অৱশ্যে মতিৰ কপাল বেয়া, কাপোৰ যোৰ নি সি জপাত ভৰাই থৈছিল, তাতে তাক টুকুৰা-টুকুৰকৈ নিগনিয়ে কুটিলে। ঘৰত জানো তাৰ কিবা মেকুৰী নাছিল? আছিল। এজনী নহয়, দুজনী নহয়, তিনিজনী। কিন্তু ভতুৱা মেকুৰী থকা বা নথকা একে। সিহঁতে এপেটকৈ ভাত খায়, চুৰকৈ পোৰা মাছ, পগোৱা গাখীৰ খায়, আৰু কোঁচ্ কৰি বৰদকাচলিত শুই থাকে; নিগনি ধৰিবলৈ সিহঁতৰ আহৰি কত? পখিলী বোলা সেই কলীয়া মেকুৰী-জনীৰ কিন্তু জাতটো ভাল আছিল। থাকিলে কি হব? সঙ্গদোষত পৰি স্বভাৱ নষ্ট হৈ তায়ো ডগা গৰু হল। দৈ-কলঙ্গীয়াই গুৱাহাটীৰ পৰা সেই মেকুৰীজনী আনিছিল। কিন্তু আনিলে কি হল, তাইৰ সতি-সন্ততিবিলাক কিবা বিজতৰীয়া হৈ দিনে ৰাতিয়ে কেৱল শুই—শুই—"

এই খিনিতে কেকো ককাৰ সাধুৱে "লঙৰ পেলোৱা" দেখি মুৰ দাঙি চাই দেখোঁ, ককাৰ চকু জাপ খোৱা, আৰু মুৰে ৰৰণী টোপাৰ লাগিছে। এবাৰ মাতিলো, ককা তাৰ পিছত? ককাৰ নাকে উত্তৰ দিলে "ঘোট্! ঘোট্!" আৰু এবাৰ ককা বুলি মাতোঁতেই ভে-ভে-ভো খাৰুইতে হাতৰ ঠাৰ দি হাক দিলে। ইয়াৰ পিছত তিনিও লাহেকৈ উঠি নিজ নিজ ঘৰলৈ প্ৰস্থান কৰিলো। বাটত আহোঁতে খাৰুইতে কলে যে ককাৰ নাকে "ঘোট্" কৰাৰ পিছত আৰু তেওঁক মাতিলে দায়। আৰু কলে তেওঁলোকেও কেকো ককাৰ খিয়াগোম পক্ষীৰ সাধু অনেকবাৰ শুনিছে, কিন্তু আৰম্ভণ হে, মাজ আৰু শেহটো কি, আজিলৈকে তেওঁলোকে শুনিবলৈ পোৱা নাই।

ঘৰলৈ আহি এখাজুখৰীয়া সাধু শুনি পেট কামোৰাৰ ভয়ত, লৰালৰিকৈ পাটীত পৰি চকু মুদিলো। আজিলৈকে বেজাৰ থাকিল, খিয়াগোম পক্ষীৰ সাধুৰ মাজ আৰু শেহ ডোখৰ জইন মাৰি শুনিবলৈ নেপালো।

আজি

ডাক জাহাজত উঠি গুৱাহাটীমুৱা হলো। জাহাজে ভোঁ ভোঁ কৰি উঠিল। উচাপ খাই মুৰ দাঙি চাওঁ দেখোন গুৱাহাটীৰ ঘাট। সন্ধ্যা লাগিব খুজিছে। আকৌ তিনিবাৰ জাহাজখনে ভোঁ-ভোঁ-ভোঁ কৰিলে; তৎক্ষণাৎ মনত খুকুৰি হল, এইখন জাহাজ নে ডোমোৰা? সেইখন গুৱাহাটী চহৰ নে এপাহ ফুল? মই হাতেৰে চকুৰ পিৰিকটি মোহাৰি সন্দেহ ভঞ্জন কৰি দেখিলোঁ, ডোমোৰা নহয় এইখন জাহাজহে, আৰু ফুল নহয় সেইখন গুৱাহাটী নগৰ হে। এইটো নিশ্চয় হল, যে পানীলগা ডিঙিৰে "ভো ভো সভাসদ" বুলি ৰাগ দি সূত্ৰধাৰী ওলোৱাদি, ডগা ডিঙিৰে ভোঁ ভোঁ ৰাগ দি ডাক জাহাজ গুৱাহাটী ওলালহি। তাহানি বুঢ়ীআইৰ কোলাত বহি সাধু শুনিছিলো, স্বৰ্গবাসীৰ ভোগ উকলিলে নগৰীয়া অপ্সৰাই তেওঁৰ মুৰৰ লেখি-ওকণী পিঙলা-ওকণী খেপিয়াই খুচিয়াই থাকোঁতেই হঠাৎ তেওঁক গতা মাৰি পৃথিৱীলৈ পেলাই দিলে। টিকিবা খাই ডাক জাহাজত স্বৰ্গসুখ কৰি থাকোঁতেই মোকো আজি টিকিট-বাবুৱে মোৰ হাতৰ পৰা টিকিটখন কাঢ়ি লৈ জাহাজৰ পৰা গতা মাৰি পেলোৱা যেন পালো। নৈৰ পাৰত থিয় হৈ কলৈ যাওঁ কি কৰোঁ ভাবিছোঁ, এনেতে দেখিলোঁ কামাখ্যা পৰ্ব্বতটোৱে মোৰ ফালে বেল খেদা মাৰি আহিছে। গতি বিষম দেখি লৰ মাৰি পলাব খোজোঁতে উমানন্দ অশ্বক্ৰান্তকে আদি কৰি বাকী কেইটা পৰ্ব্বতো মোৰ ফালে টোঁৱাই খেদি অহা যেন দেখিলো। কি বিপদ! দিনে ৰাতিয়ে ছেদ-ভেদ নোহোৱাকৈ শুই থকা পৰ্ব্বতে উঠি গৰু-মহৰ নিচিনাকৈ চেকুৰি খুচিবলৈ আহে দেখোন। সত্য কি ত্ৰেতাযুগত ইন্দ্ৰই বজ্ৰ মাৰি উৰণীয়া পৰ্ব্বতবিলাকৰ, আনি ভাটো চৰাইৰ পাখি কটাদি, পাখি কাটিছিল বুলি শুনিছিলো। অৱশ্যে সেই কথা প্ৰমাণ কৰিবৰ ভাৰ ব্যাস বাল্মিকীৰ গাত। আমাৰ গুৱাহাটীৰ পৰ্ব্বত-পোৱালি কেইটাক তেওঁ বিচাৰি নেপাইছিল নে কি? ইহঁতে দেখোন এই কলিযুগতো উৰি অত্যেকৰ খুচিবলৈ আহে! হয় সেই কালত ইহঁত কণী অৱস্থাত মাকৰ উদৰস্থিত আছিল, নহয় ইহঁতৰ তেতিয়া কাঁড়পাখি গজা নাছিল; অথবা ইহঁত পুৰন্দৰৰ বজ্ৰৰ হাত সাৰিব

পৰাটো অসম্ভৱ। শাস্ত্ৰ পুৰাণৰ কথা দূৰত থাকক, সম্প্ৰতি যে অভিমন্যুক সপ্তৰথীয়ে বেৰি ধৰাদি, সাত কালৰ পৰা সাতোটা পৰ্ব্বতে, অস্ত্ৰ-শস্ত্ৰ আৰু বাহন শূন্য এক বিলাৰাম বৰমেধি মহাৰথীক বেৰি ধেদি আহিছে, ইয়াৰ কি হব ? ন্যায়বান ঈশ্বৰৰ ৰাজ্যত এনে অন্যায় যুঁজ দেখিলে ভূমি ছুই কৰ্ণত হাত দিব লগীয়া। গুৱাহাটীত আজিও নবকাসুৰৰ গবৰ্ণমেণ্ট আছে নে কি ? "কাপুৰুষহঁত ! কানীয়া টোপনি গধুৰহঁত ! কুকুৰধুলিহঁত ! তহঁতৰ গাত যদি সঁচাকৈয়ে বীৰ পুৰুষৰ তেজ আছে তেন্তে এটাই কেইটাই একেবেলিয়েই এই নিবস্ত্ৰ নিৰ্ব্বাহন বীৰ পুৰুষক আক্ৰমণ নকৰিবি। এটা এটাকৈ আহ, ন্যায় ৰণ দি, তহঁতৰ সৈতে যুজি চাওঁ। ন্যায় যুদ্ধত সন্মুখ সমৰত মৰিয়াই তহঁতৰ কঁকাল ভাঙি পেলাই থবলৈ মোৰ এই খোঁৰাখোৰাটোৱেই যথেষ্ট। আৰু মোৰ এই গাঁঠিৰ কটাৰীৰেই, ইন্দ্ৰৰ বজ্ৰই ৰাকী এৰা বা খিচাৰি নোপোৱা পাখিকেইটা কাটি থবলৈ মই গাত লৈছো।" এই বুলি মুখেৰে ভাবুকি দি, পেটেৰে ত্ৰাহি মধুসূদনক মাতি থপৰ্ কৰে খহি পৰিলো। চিলনী বনোৱা দি মোৰ মূৰৰ ওপৰত পৰ্ব্বত কেইটাই পাখি মেলি বনাবলৈ ধৰিলে। আকৌ এবাৰ গোবৰ্দ্ধনধাৰীক কাতৰ কণ্ঠেৰে মাতিলো। কাতৰ প্ৰাণৰ কান্দোন তেওঁৰ কাণত পৰিল, মুহূৰ্ত্ততে পৰ্ব্বত কেইটা পৰ্ব্বত গুচি জুইৰ আওনি হল ; তৎক্ষণাৎ জুইৰ আওনি গুচি একোপাহ ফুল হল আৰু মই চকু মুদিলো।

চকু মেল খালে। কিন্তু কেই ঘণ্টাৰ মূৰত নেজানো। দেখিলো ৰাতি পুৱাল। চৰাই-চিৰিকতিয়ে গছৰ ডালত বহি বৰগীত গাব লাগিছে। কাষতে তেলিয়াৰ নাও এখনৰ পৰা গুৱালকুছীয়া এজনে "উঠবে উঠ বাপু গোপাল হে নিশি পৰভাত ভেল" এই বৰগীত বাগত দিছে ; আৰু মই জাহাজ ঘাটৰ কাষতে বৰগছ এজোপাৰ তলতে শয়ন সুখ লভিছোঁ, এনে স্বলত লাহেকৈ উঠি মনে মনে নগৰৰ ভিতৰ সোমোৱাটোকে বুদ্ধিমানৰ কাম ঠাৱৰালো। পৰমেশ্বৰৰ পৰম কৃপা, যে গুৱাহাটীৰ পুলিচৰ কনিষ্টবলসকল মোৰে সৈতে একে গুৰুঘৰৰ ভকত। নতুবা তেওঁলোকে মোক ৰাতি কোলাকৈ গছৰ তলৰ পৰা লৈ ধৈ চৰকাৰী ছালপীৰাত গুৱাই নথবৰ একো কাৰণ নাছিল। সেই দিনাৰ ভিতৰতে মই থকাৰ দিহাপোহা কৰি ললো। মানুহ-দুনুহেৰে মোৰ মিত্ৰতা হল। লগৰীয়া পালো। আৰু গুৱাহটীয়া কানিভাওৰ খোলাত মই এটা আকোঁৱালে-নোপোৱা মানুহ হৈ পৰিলো। ঠিক যেন মোৰ অভাৱটো গুৱাহাটীয়ে অনুভৱ কৰি শোকাকুল হৈ আছিল, সেই অভাৱ আজি পূৰ হৈ গুৱাহাটী মুখচন্দ্ৰ উজ্জ্বল হল। ঠিক যেন গুৱাহাটীৰ নামঘৰৰ বৰখুটা 'এটাই বগা ঠেঙা এখন কাষতে পাবি থৈ, খালি হিয়া শূন্য প্ৰাণ লৈ, বিলাৰাম মেধিলৈ বাট চাই আছিল, "মেধি কুকুৰে নিলে খেদি," এই বচন অনুসৰি আজি মেধিক, ওপৰত কোৱা পৰ্ব্বত কুকুৰে খেদি নি নামঘৰৰ ভিতৰত এৰাত, তেওঁ সেই বগা ঠেঙাত থপৰ কৰে বহি, সেই বিৰহিনী বৰখুটাত আউজি পৰাত যেন বৰখুটাৰ বৰ প্ৰাণ শীতল হল, বৰ সধাহৰ থৰ থৰ তেল-খন্তি ছিউ-বন্তিবোৰ জ্বলি উঠিল, আৰু বৰ নামঘৰ বৰ গুৱনী হৈ উঠিল।

গুৱাহাটী চহৰ তোলপাৰ লাগিছে। মহাৰাণীয়ে যেনো মানুহ পঠিয়াই ভু লোৱাইছে, আমাৰ দেশত কানীয়া মানুহ কিমান আছে ? আৰু কানি খোৱাটো ৰখা উচিত নে উঠাই দিয়া উচিত ? কলিকতাত হেনো বাই সভা বহি সাক্ষী-সাবী তলব কৰি তদন্ত কৰিছে, যে কানিক মহাৰাণীৰ মলুকত দহ চাৰিৰ লগতে এচমকা ঠাই দি ৰখা যাব নে, নাই, ভোটিমাটি উছন কৰি তাক কলিয়াপানীত মেলি দি অহা যাব ? আমাৰ অসমৰ পৰাও হেনো কলিকতাৰ বাই সভালৈ সাক্ষী কৰলৈ বৰুৱা ফুকন সকলক চমন দি "গিলিপ্দাৰ" কৰি লৈ যাবৰ কাৰবাৰ হৈছে। দেশত মানুহ দুদল হৈছে, এদল কানিৰ পক্ষে, এদল বিপক্ষে।

এই বাতৰি যিদিনা আমাৰ উজনি-বজাৰৰ কানিখোলা পালেহি, আমাৰ সমজুৱাসকলৰ ভিতৰত হুলস্থুল লাগি পৰিল। আমি লৰালৰিকৈ কাউঞ্চিল অৱ্ ওৱাৰ (Counc l of war) আহ্বান কৰি মেলত বহিলো। শনিবাৰে সন্ধ্যা বেলিকা আমি বাৰজন সমজুৱা কানি-খোলাত গোট খালো। সৰ্ব্বসম্মতিক্ৰমে মই সভাপতি বৰিত হলো। সভাপতিৰ আসন গ্ৰহণ কৰি মেঘৰ গম্ভীৰ ধ্বনিৰে আৰম্ভ কৰিলো—

"সমজুৱা ককাইহঁত ! আজি মোক আপোনাসকলে সভাপতি পাতি যি সন্মান প্ৰদান কৰিছে তাৰ ধাৰ মই এই জনমত সুজিব নোৱাৰোঁ। আপোনাসকলে অৱশ্যে শুনিছে, আমাৰ দেশৰ পৰা কানি খোলা তুলি দিবলৈ মহাৰাণীয়ে বিলাতৰ পৰা কটকী পঠিয়াইছে।"

সকলোৱে—"শুনিছোঁহঁক।"

সভাপতি—"এৰা, বেজাইৰ বাতৰি শুনোতে পলম নেলাগে। তেন্তে এতিয়া আমাৰ কি কৰ্ত্তব্য ? কানি আমাৰ বাপতিসাহোন। ই এদিনীয়া বস্তু নহয়। আমাৰ মুখৰ টোপ মহাৰাণীয়ে কি বুলি কাঢ়ি নিব খুজিছে ? আমাৰ মেহ-আও, মাদৰৰ বস্তু, দুখ-সুখৰ লগৰীয়া, বুকুৰ বান্ধ কানিক আৱজেন্দ্ৰীয়ে

কোন 'চৰাবত' আমাৰ বুকুৰ পৰা কাঢ়ি নিবলৈ কাং পাতিছে? এই পৃথিৱীত লৰা-তিৰোতাৰ বিচ্ছেদ আই-বোপাইৰ হানি, সদায় সহিব পাৰি, কিন্তু কানিৰ বিচ্ছেদ এদিনলৈ সহিব নোৱাৰি।"

সকলোৱে—"নোৱাৰি। নোৱাৰি। সভাপতি ককাই, নোৱাৰি দেও হে।"

সভাপতি—"তেন্তে নো আমাৰ এতিয়া কি কৰা কৰ্ত্তব্য?"

এজন সভ্য—"আমি খেৰাই কৰিম, কানি-খোৱা উঠাই দিবলৈ নিদিওঁ। মহাৰাণীয়ে আগেযে আমি কানীয়া কেইটাৰে সৈতে ৰণ দিয়ক, তাৰ পিছত হৰা-জিকা কথাৰ মীমাংসা হব। যুৰে প্ৰতি শেলুক নহয়। এবাৰ আমাৰ দেশৰ পৰা আফু-খেতি উঠাই দি মহাৰাণীয়ে ছল পাইছে, এই-বাৰ আমি নেৰেঁা।"

২য় জন—"নোপা ঐ! আমি কেইটানু কাইনা আছুহা, যে এমান ডাঙৰ মহাৰাণীহেতি ৰণ কৰিব পাৰিম? তোহ্‌নাই ৰৰ গওণ মাৰিছা দেখো। মহাৰাণীৰ ফৌজি আমাক গুলিপিহি ফেলালিও তাহনাৰ কপালত ফোট দিবাক নাটেই।"

৩য় জন—"ককাই কোৰা কি? শদিয়াৰ পৰা মানাহলৈকে আমাৰ যিমানবিলাক কানীয়া ভকত আছে, এটাই বিলাকৰ একোটা মতি নাই দেখিছে; সকলোৱে একে মতি হলে আমি মহাৰাণীৰ ফৌজক পাণৰ টিকিৰা কৰি ফুকং।"

৪ৰ্থ জন—"সভাপতি ককাইৰ অনুমতি লৈ প্ৰথমে মই অলপ কাহি লওঁ, সমজুৱাসকলে যেন দাই নধৰে।"

৩য় জন—"আমি নধৰো দাই, সভাপতিয়েও নধৰে অন্ততঃ ধৰিব নাপাৰ। আপুনি নিশ্চিন্ত মনে কাহক, হাঁচিয়াওক আৰু যি মন যায় কৰক। আপুনিহে নেলাগে আন সমজুৱাসকলেও এতিয়াই অক্লেশে সেই কাৰ্য্যত আপোনাৰ সৈতে যোগদান কৰি আপো-নাক উৎসাহিত কৰিব পাৰে। আমাৰ সভাপতিয়ে একো নোবোলে; তাৰ বুলিবলৈ একো নাই, মই ন দি কব পাৰোঁ। চলক, চলক।"

৪ৰ্থ জন—(কুহৰ। কুহৰ। কুহৰ।) "মোৰ প্ৰস্তাবটি এটিকটা মান অতি ক্ষুদ্ৰ, অতি সৰু, যথা সভাৰ কাৰ্য্য আৰম্ভ হোৱাৰ আগেয়ে সভাপতিৰ কুশলৰ অৰ্থে সভ্যসকলে গাই গাতি একোটি টিকিবা পুৰি গাত লব খাতি মতক।"

সকলোৱে এই প্ৰস্তাৱত আনন্দ প্ৰকাশ কৰাত সেই মতে কাৰ্য্য হল, আৰু সভাৰ মৰ ধুঁৱলী-কুঁৱলী হৈ পৰিল।

সভাপতি—"সভ্য মহোদয় সকল! আজি মোৰ কুশলৰ অৰ্থে একোটি টিকিবা পুৰি মোক সম্মানিত কৰা খাৰে আপোনাসকলৰ শলাগ লওঁ।"

এনেতে চতুৰ্থ সভ্যজনে আকৌ তিনিবাৰ কাহে।

৫ম জন—"সৰ্ব্বনাশ! সৰ্ব্বনাশ! সভাপতি মহাশয় সৰ্ব্বনাশ! আৰু সভ্য মহোদয়সকল সৰ্ব্বনাশ! আপোনাসকলৰ সম্মতি ক্ৰমে সেই সভ্যজনক কাহি লবলৈ আদেশ কৰা হৈছিল, সেই আদেশ মতে তেওঁ মহা সুখে এবাৰ কাহি ললে। গল কথা গুচিল। আকৌ এতিয়া নকৈ তেওঁ সভাৰ মাজত কাহিলে কোন আইন মতে মই জানিব খোজোঁ? সভাপতি ডাঙৰীয়া আৰু সমজুৱাসকল! মই এই দ্বিতীয় বাৰৰ কাহৰ দোৰ্যোৰ প্ৰতিবাদ কৰোঁ।"

৬ষ্ঠজন—(কুহৰ! কুহৰ!) "মই এই প্ৰতি-বাদৰ সমৰ্থন কৰোঁ।"

২য় জন—"সমৰ্থন কৰোঁতাজনেও দেখোন কুহৰ কুহৰ কৰিহে সমৰ্থন কৰিলে একা?"

৫ম জন—"সৰ্ব্বনাশ! সৰ্ব্বনাশৰ ওপৰত সৰ্ব্বনাশ! বে-আইনী, ইয়াৰ বিচাৰ হব লাগে।"

৬ষ্ঠ জন—"কেতিয়া কাহিলোঁ হে? গোটেই মিছা কথাষাৰ দেখোন সভাপতিক তুমি টৌটক লগালা? সভাপতিয়ে নো মোৰ কি......? (কুহৰ কুহৰ)"

এনেতে সভাপতি উঠি কলে, "বাহিৰা কথা লৈ সময় নষ্ট কৰাটো আমাৰ উচিত নহয়। যাৰ ইচ্ছা কাহক। কাহ হাঁচি কোনেও ধৰি ৰাখিব নোৱাৰে। এতেকে আপোনাসকলে মিছা বাদা-নুবাদ কৰি সময় নষ্ট নকৰিব এই মোৰ নিবেদন। বিপদৰ কালত থকমকা কুচুৰি কথা লৈ দ্বন্দ কৰিবৰ সময় নহয়। এতিয়া আমাৰ কি কৰা কৰ্ত্তব্য তাৰ মীমাংসা কৰা যাওক। মহাৰাণীৰে সৈতে যুদ্ধ কৰাটো খলিয়াৰ কথা। খালিচাহীয়ে গজহস্তীৰে সৈতে যুজিব নোৱাৰে। আৰু মহাৰাণী আমাৰ ৰজা, সাক্ষাৎ আইমাতৃ। তেওঁৰ বিষয়ে এনে কথা কব নেপায়। মোৰ এটা প্ৰস্তাৱ মনত খেলাইছে জানো আপোনাসকলে কি বোলে, মই কওঁ, আহি মহাৰাণীলৈ আমি সকলো কানীয়াই চহী কৰি এখন আবেদন পত্ৰ পঠিয়াই দিওঁহক। সেই আবেদনত আমি কানি-কাটি সকলো কথা ভাঙি-পাতি লেখিলে, নিশ্চয় আই মহাৰাণীৰ কানীয়া ভকত-সকললৈ বেয়া লাগিব।"

৬ষ্ঠজন সভ্যই সভাপতিৰ এই প্ৰস্তাৱ সমৰ্থন কৰিবলৈ উঠোঁতেই, তেওঁৰ আকৌ এনে কাহৰ ভাউৰি উঠিল, যে তেওঁ একো কব নোৱাৰি বহি পৰিল। যি যি হওক, তৃতীয়জন সমজুৱাৰ উৎসাহত একেবেলিয়েই কাহৰ বোল তুলি সকলো সমজুৱাই আনন্দ প্ৰকাশ কৰি সভাপতিৰ প্ৰস্তাৱ গজগজীয়াকৈ মঞ্জুৰ কৰিলে। কেৱল পঞ্চমজন সভ্যই এই প্ৰস্তাৱ মঞ্জুৰীৰ কাহত খংকৈ যোগ দিয়া নাছিল।

৭ম জন—"মই কিবা বোলেনে পস্তাপ কৰোঁ যেন আমাৰ সভাপতিয়ে এনে ছন্দৰ পস্তাপ কৰা যাবে কিবা বোলেনে তেওঁক আজি আমাৰ উমৈহতৰ পৰা এচিলিম ভাং, তিনটা টিকিবা, এখটি চাহ আৰু এচমকা গুড় দিবৰ পস্তাপ কৰা যাওক।"

সকলোৱে হাত-চাপৰিৰে দাং-দোলা কৰি এই প্ৰস্তাৱটি খাটোলাত তুলিলে।

৭ম জন—"নিশ্চয় কিবা বোলেনে আই মহাৰাণীয়ে কানি কায়। কানিৰ নিচিনা এটা আপুৰুগীয়া ৰাজভুইংগ বস্তু মহাৰাণীৰ অপশ্যে চলে। হেই দেকি কিবা বোলেনে মই পস্তাপ কৰোঁ আমি হকলোৱে পচা তুলি এহেৰ বা আদহেৰ কানি এই দৰ্খাস্তৰ লগে লগে মহাৰাণীলৈ পঠিয়াই দিওঁহঁক। খাবলৈ পালে কলীয়া গোখাইও সন্তুষ্ট হয়, পস্তাপো মই কৰোঁ। নিশ্চয় কানি ভেটী পালে মহাৰাণীয়ে আমাৰ দৰখাস্তৰ ওপৰত ভাল হুকুম দিব। আৰু আমাৰ হভাপতিক সেই দৰখাস্ত লেখিবৰ ভাৰ দিয়া যাওক, এই পস্তাপো ময়ে কৰোঁ।"

সকলো সভাসদে চাপৰি বজাই হৰিধ্বনি দি প্ৰস্তাৱ সমৰ্থন কৰি প্ৰস্তাৱ কৰোঁতাক শলাগিবলৈ ধৰিলে।

ইয়াৰ পাছত সভাপতিয়ে কাকত কলম লৈ সেই সভাতে সমজুৱাসকলৰ আগতে এই আৰ্জি লেখিলে।

"আৰজি মোতালকে দৰখাস্ত মিদং কাৰ্য্যঞ্চাগে খোদাবান্দাৰ আগত আমি গোলামহঁতৰ এই গোচৰ যে আমি অসম মলুকৰ দুখীয়া কানীয়া ভকত; খোদাবান্দাৰ দয়াত খোদাবান্দাৰ মলুকতে অলপ-অচৰপ কানি খাই কোনোমতে পেট প্ৰবৰ্ত্তাই পৰি আছোঁহঁক। শুনিছোঁ বোলে খোদাবান্দাই বিলাতৰ পৰা কটকী পঠিয়াই জলত কৰাই আমাৰ কানি খোৱা বন্ধ কৰিব খুজিছে। যদি এই বাতৰি সঁচা হয় তেন্তে আমি ইমানবিলাক দুখীয়া কানীয়া ভকত খিআতে মৰিলোঁ। আমাৰ নিচিনা মাখিক মাৰি শ্ৰীচৰণে হাত কলা কৰিব খুজিছে কেনে কব নোৱাৰোঁ। এই দুখীয়া প্ৰজাসকলক শ্ৰীচৰণে পুতৌ নকৰিলে কোনে কৰিব? এতেকে বন্দীহঁতৰ খোদাবান্দাৰ শ্ৰীচৰণত এই প্ৰাৰ্থনা, যেন বন্দীহঁতক মৰিবলাই নেমাৰিব। নতুবা খোদাবান্দাক এমুঠি কানীয়া প্ৰাণীৰ বধে চুব।

"আমাৰ হিন্দু মানুহৰ বাইবোল শাস্ত্ৰত লেখিছে, 'শুদাহাতে নযাতইবং শ্ৰীযুৱাজকুলেষু' অৰ্থাৎ ৰাজকুলীয়া তিৰোতা মানুহ ৰজাৰ দুৱাৰলৈ শুদা হাতে যাব নেপায়। সেই দেখি শ্ৰীচৰণলৈ এই আৰ্জিৰ লগতে আদসেৰ কানি খাণ্ডি কৰি পঠিয়া গল; শ্ৰীচৰণে অনুগ্ৰহ কৰি ললে বন্দীহঁত পৰম কৃতজ্ঞ হয়। এই কানি অতি সুন্দৰ; খাই চালে বন্দীহঁতৰ কথাৰ সঁচা-মিছাৰ পৰখ পাব। বিশেষকৈ এই কানি ভোজন কৰিলে খোদাবান্দাৰ গাটি ফুলৰ চাকি যেন লঘু পাব, গা পিৰ্‌নিপিৰায় আৰু খজুৰতি নুঠে বুলি আমাৰ সভাৰ পৰা খোদাবান্দালৈ এই গিৰমিত লেখি দিলোঁ। অধিক আৰিকি কম। ইতি পুঃ—

কানিৰ বাণ্ডিটো হেৰোৱাৰ ভয়ত আৰু সোনকালে যাবৰ নিমিত্তে ৰ্যাবিং কৰি পঠিয়ালো, সেই বাবে যেন শ্ৰীচৰণে বিষম নেপায়।

খোদাবান্দাৰ গোলাম

শ্ৰীমিলাৰাম বৰবেৰি সভাপতি
শ্ৰীজিনাৰাম শইকীয়া সম্পাদক

শ্ৰীপিণুৰাম বৰকানীয়া ধনভৰালীকে আদি কৰি উজনি ৰজাৰৰ দ্বাদশ কানীয়া।"

মই আৰ্জিখন লেখি পঢ়ি শুনালত সমজুৱাসকলে ধন্য ধন্য কৰি চাপৰি বজাবলৈ ধৰিলে। এজন উঠি তেতিয়াই আকৌ প্ৰস্তাৱ কৰিলে যে আজি আমাৰ সভাপতিক উমৈহতৰ পৰা আৰু দুটা টিকিবা বেছিকৈ পুৰিবলৈ দিয়া যাওক। কাৰণ আৰ্জিখন বিতোপন হৈছে। প্ৰস্তাৱটো মুখৰ পৰা ওলাওঁতেই মঞ্জুৰ হৈ বহিল।

এনেতে এজন সভ্যই কলে, "সভাপতি মহাশয় আৰু সমজুৱা সকল। মই শুনিছোঁ আমাৰ দেশী মানুহৰ ভিতৰৰে কোনো কোনো দ্ৰোহীয়াই কানিৰ বিপক্ষে সাক্ষী দিবলৈ কলিকতালৈ যাবলৈ ওলাইছে। এই কথা সঁচা হলে মই দেখিছোঁ, আমাৰ গাৰ নোমেই পৰম শত্ৰু। ৰাৱণৰ ঘৰত এই কেইটা বিভীষণক আমি অসমীয়া মানুহ হৈ এতদিন ভাল পোহ-পাল দি আছিলোঁহঁক। এই স্বদেশ-দ্ৰোহী কাঁইট কেইটা উভালি নেপেলালে নহয়। এতেকে ইহঁতক কি কৰা যাব তাৰ এটা বন্দবস্ত হওক।"

৭ম জন—"ইহঁত কিবা বোলেনে আমাৰ দেশৰ শত্ৰু। হত্ৰুক নিপাত্ত কৰা ৰাজ্যৰ মন্ত্ৰ। এতেকে

আমি ইহঁতক কানিৰ বিপক্ষে হাখী কৰবলৈ যোৱাৰ আগেয়ে ধৰিবৰ পন্তাপ কৰোঁ।।”

৯ম জন—“কেনেকৈ ধৰিবা ? সিহঁত কিবা মাছ নে যে হিজাই গাই থবা ? নাইবা সিহঁত সেৰ নে সৰি, যে জুই লগাই ছাই হোপা কৰিবা ?”

সভাপতি—“এই প্ৰস্তাৱত সমজুৱাসকলৰ যাৰ যাৰ মত তেওঁলোকে হাত তোলক।”

সকলোৱে হাত দাঙিলত এই প্ৰস্তাৱ মঞ্জুৰ হল। এনেতে সভাপতিয়ে মাত লগালে, “শত্ৰুক ধৰিবৰতো মত স্থিৰ হল, কিন্তু কি উপায়ে কেনেকৈ সেই কাৰ্য্য সাধন কৰা হব, তাৰ এটা নিশ্চয় হওক।”

১০ম জন—“অৰণ্যে দাবে কুৰিয়াই বা টাঙোনেৰে টিঙনিয়াই আমি সিহঁতক ধৰিব নোৱাৰোঁ। তেনে কৰিবলৈ গলে কুম্পানীৰ ঘৰৰ পৰা আমাক ধৰি নি ফাঁচী দিব। এনেকুৱাকৈ সেই কাৰ্য্য সাধন কৰিব লাগিব যেন কোনেও আমাক ধৰিব নোৱাৰে। মই প্ৰস্তাৱ কৰোঁ, ডাঙৰ ম'হ জোক আনি, সিহঁত শুই থাকোঁতে ৰাতি গাই পতি দহোটা পোৰ্ধৰটাকৈ সিহঁতৰ গাত লগাই দিয়া যাওক। জোকে তেজ খাই টোপনিতে সিহঁতক মাৰি থব।”

৭ম জন—“পন্তাপটো কিবাবোলেনে ঠিক ওলাইছে, কিন্তু পানীত নামি ম'হ জোক ধৰি আনিব কোনে ? মোক হলে ককাইহঁত, তহঁতে কাটি ছোৱা ছোৱা কৰিলেও মই পানীত নামিব নোৱাৰোঁ। হক কথা কবলৈ লাজ কি, নিতৌ তেল ঘঁহি কিবাবোলেনে গামোচা চুৰিয়া লৈ গা-ধুবলৈ গৈ নৈৰ পাৰত কিছুমান ৰেলি ৰহি থাকি উভতি গুচি আহোঁ, গাত পানী লগাবলৈ সাহ নহয়।”

এই কথা শুনি সকলো সভ্যই একে বেলিয়েই কবলৈ ধৰিলে, যে সঁচা কথা, আমি কেও পানীত নামিবলৈ সাহ কৰিব নোৱাৰোঁ। শত্ৰুহঁত ৰাতি শুই থকা খোটালিত একোবাহ বৰল বা টেকেলীয়া ৰুোদো মনে মনে এৰি দিয়া যাওক। বৰল কোদোৱে খাই সিহঁতৰ দিহা লগালে সিহঁত সাক্ষী কবলৈ যোৱাটো টুৰিছে।

বৰল বা কোদো কোনে ধৰিবলৈ যাব, আৰু ধৰোঁতাক সেই বৰল কোদোৱে নেকামুৰিবৰ কাৰণ কি, এই কথা উঠিলত এই প্ৰস্তাৱ নামঞ্জুৰ হল। আন একো সুবিধাজনক উপায় সেই দিনা সমজুৱা সকলে উলিয়াব নোৱাৰাত আৰু আন এদিনৰ সভালৈ প্ৰশ্ন স্থগিত ৰাখি সভা ভঙ্গ হল।

আমাৰ কানীয়া সভাৰ এক অধিবেশন

আমাৰ গুৱাহটীয়া কানীয়াভকতৰ সভাই যে, কেৱল মহাবাণীলৈ আজি পঠিয়াই, আৰু ৰাজনীতিৰ ওপৰত বক্তৃতাৰ হোলোলনি লগাই ৰহি থাকে এনে নেভাবিবা; আমাৰ সভ্যই দুখীৰ দুখী অৱস্থাৰে ভাষাৰো উন্নতি কৰে। আমাৰ সভাৰ এক অধিবেশনৰ বিৱৰণ প্ৰকাশ কৰিবৰ মন কৰি আজি ৰাইজৰ আগত আঠু ললো। আমাৰ তৰপৰ মানুহক আজি কালিৰ ইংৰাজী লিখা-পঢ়া শিকা তৰপে, বিশেষকৈ সেই তৰপৰ ভিতৰত দাড়ি-গোফ-ঠুটিয়া সকলে ফু-মাৰি উৰাব খোজে। তাৰ কাৰণ তেওঁলোকে ভেমত ওফন্দি গপত উধহি আমাক বুজিবলৈ চেষ্টা নকৰি, আমি কি কৰোঁ তাৰ ভু-লবলৈ কাৰ-ধাৰ নকৰি, দূৰতে নাক কোঁচাই চেই চেই কৰে। আগৰ বুঢ়া তৰপৰ ভিতৰত কিন্তু আমাৰ এনে অনাদৰ নাছিল। দেহি ঐ। সেই কাল কলৈ গল। বুঢ়াসকলে কানি আৰু কানীয়া ভকতসকল কি বস্তু সুন্দৰকৈ বুজিছিল। গতিকে, তেতিয়া আমাৰ আগ ভাগ, ৰৰ চকু, ৰৰ মিঠৈ ধৰা-বন্ধা আছিল। শিক্ষিত ডেকাসকলে, অৰ্থাৎ “ইস্কুল” “কলেজত” পঢ়া চেঙেলীয়া তৰপৰ ডেকাসকলে, অৰ্থাৎ আমাৰ মতে দুধ-কণ্ঠ বালকসকলে অসমীয়া ভাষাৰ উন্নতি কৰিবলৈ উঠি পৰি লাগিছোঁ বুলি ঢাক-ঢোল বজাই ফুৰিছে। তেওঁলোকে ঢোলত চেও দি দি কি ভাষাৰ উন্নতি কৰিছে, তেওঁলোকে আৰু হৰি ভগৱন্তই হে জানে, আমি হলে কব নোৱাৰো। জোনাকী নে কি এখন কাকত উলিয়াই, অ, ভা, উ, সা, সভা পাতি তেওঁলোকে কলিকতাৰ পৰা ডিব্ৰুলৈকে হেন্দোল্‌দোপ লগাইছে; যেন তেওঁলোকৰ ৰৰ পুতেকৰ সাদিনীয়াকৈ পতা ৰৰ বিয়াখন হে। তেওঁলোকে ভু নেপায় যে আমি কানীয়া সভাৰ সভ্যসকলো হাত সবটি ৰহি থকা নাই; আমাৰ সভাতো ৰাজনৈতিক আন্দোলনৰ দৰে ভাষাৰ আলোড়ন হয়; আমিও অ, আ, ই, ঈ, সভা কৰোঁহঁক; আমিও “সিদ্ধি-ৰস্ত অ, আ, ই, ঈ,” পঢ়োহঁক। এইটো তেওঁলোকে পাহৰে যে অসমীয়া ভাষাটো আমি কানীয়া ভকতসকলৰো বাপতিসাহোন, তেওঁলোকৰ অকলশৰীয়া বেহানি নহয়; অৰ্থাৎ আমাৰ সভাৰ এজন সভ্যই কোৱাৰ দিচিনা, তেওঁলোকৰ কাববাৰ যৌতুকত পোৱা সম্পদ নহয়। সিদিনা আমাৰ সভাৰ এক বৈঠকত, দকটি কানি-টিকিৰা পোৱাৰ পিছত আমাৰ এজন বুঢ়া সভ্যই এখন বচনা বা বৰ্ণনা পাঠ কৰি তেওঁলোকৰ জোনাকীৰ সম্বন্ধে কেনে বক্তব্য প্ৰকাশ কৰিছিল, তাক জনসাধাৰণৰ মনত সকলোকে ভালত তুলি দিলো।

"হবাপতি আৰু হইব মণোদৰ ককাইহঁত শুনিবাহঁক :—

"মই আজি আমাৰ অসমীয়া ভাখা ভাল কৰিবৰ মনেৰে বকৃতা গাখলৈ উঠিছোঁ। জয়জয়তে কোৱা ভাল, মোৰ নাও, মনু হাজতোলা। মই দিহিঙৰ থানৰ গোখাই পৰভু ঈশ্পৰৰ ভিতৰুৱাল হিচ। মই শিৰফুটা মাতঃবৰ লোকৰ ঘৰৰ লৰা। মোৰ ঘৰ ক'ত, মই আজিৰ এই হবাত নকও। তাৰ কাৰণ হুদিলে, ইয়াকে অলপ-অচৰপ্ন আপোনা-হকলৰ কাণ চুৱাই থব লাগিব যে, পুলিচ বোলা সেই গবিধা খোৱাখিলাকেৰে সৈতে মোৰ এচিকটামান আখেজা-আখেজি আছে।"

এজন সভ্য—"কওক ককাই আপোনাৰ ঘৰ ক'ত কওক ?"

"নকওঁ মোৰ ঘৰ যতে বা নহওক তোৰ কি ? তই তাতে লাগিবলৈ খুজিছ নে ? পুলিচ তোৰ দদায়েৰ নে কি ?"

সভাপতি—গাজতোলা ককাই, আপুনি বক্তৃতা কৰক, লৰা মানুহৰ কথাত নেলাগিব।

"হবাপতিযে কৈছা যেতিযা নেলাগো থাক। শুনা। আমি কানি খাই কলা হলো বুলি অসমীয়া ভাষাৰ গোন্ধ নেপাওঁ এনে নহয়। অসমীয়া ভাখাটো, কানিত অৰুচি হোৱা হিক্কিত ভেকাসকলৰ যেনেকুৱা বাপতিসাহোন কানিত ৰুচি থকা আমি কানীয়া ভকতসকলৰো তেনে বাপতি-সাহোন। তেওঁবিলাকে আমাক তেওঁবিলাকৰ হভাত লগ নিদিয়ে, আমাৰে সৈতে নেখেলে, নেলাগে দিব, নেলাগে খেলিব। আমি স্বকীয়াকৈ আমাৰ হবাত ভাষাৰ ভাল কৰিম। আমি কানি খাওঁ, তেওঁলোকে ফটিকা ভাং খায়! আমি বাটিত মলি খাওঁ, তেওঁ-লোকে বটলৰ পৰা চালি গিলাচত বাকি খায়! আমি পুৰি খাওঁ, তেওঁলোকে মেৰিয়াই চেলেউকৈ খায়। এইমাত্ৰ বেলেগ। এনে থলত তেওঁলোকৰ গপটো কিহৰ ? ফাইদাংটো কিহৰ ? আমাতকৈ এই ভীমটোকাহঁতৰ বিদ্যা-বুদ্ধিৰ টোপোলা-টোৱেই বা কিমান গধুৰ ? অসমীয়া ভাখাৰ উন্নতি কৰিবলৈ তেওঁলোকে যেনেকৈ এখনি 'জোনাকী' উলিয়াইছে, মহাপুৰুষ গুৰুজনৰ অনুগ্ৰহত আমিও আমাৰ হবাৰ পৰা তেনে এখান 'পোহৰী' অতি সোনকালে উলিয়াম, আৰু সি জোনাকীতকৈ বেছি পোহৰ হব। কানি দুপৰীয়া গবখাৰৈত পৰি জিলিকি থকা এইখন তেওঁলোকৰ জোনাকী পাই, শুকাই-উভাই মেলি পঢ়ি চাই তাৰ দুখ-গুণ দেখুৱাই খমা-লোচনা কৰি এইখন বৰ্ণনা লেখি আনিছোঁ; আপোনা-হকলে কাণ দি শুনিলে, এটি কানিৰ টিকিৰা পুৰিলে যেনে হন্তোখ পোৱা যায় তেনে হন্তোখ পাম।

"গবখাৰৈৰ অনন্ত হয্যাৰ পৰা টোপনি ভাঙি তুলি অনা এই খন জোনাকীৰ ওপৰতে লিখা আছে, 'সপ্তম ভাগ, ২য় সংখ্যা, শক ১৮১৮, মাহ ফাগুণ।' কানি দেখিলে কুহৰি উগাৰ উঠা ভায়াসকলে কি লেখিছে কি মেলিছে, চাওঁ বুলি জোনাকীৰ প্ৰথম পাত মেলিয়েই দেখোঁ, পোনতে আছে 'গীত' * কাৰণ বুঢ়া হৈ আমুকাইৰ খৰমত মতি-গতি হৈছে; খৰমৰ আলোচনা দেখিলে মই হন্তোখ পাওঁ।

গীত *

"অহং—একতাল

"উঠা একে চিপে অসমীয়া ভাই।
খান্ধা কঁকালত টঙালি আ ̐।
লোৱা বীৰ সাজ,—দিয়া দলিগাই,
কেচুৱা লৰাৰ াগৰি গাতি।
বণ-ধ্বজা ধৰি বলা আগুৱাই,
তেজাল খোজত কঁপোক মাটি।
জানি লোঁৱা ভাই এৰিবৰ হল,
গুণা খনিয়াৰ লাহৰী ছাটি।
উঠি কাম কৰা, এৰি দিয়া তুমি।
জুহাল-গুৰিৰ কলা ঘুমটি।
ইমানতে ভাই চোৰাঁ চকু মেলি
কানি খোৰাঁখোৱা পেলোৱা কাটি॥
সুৰঁৰি তোমাৰ এনুৱা বিলাই,
যাৰ খোজে হায় বুকু যে ফাটি
পেলোৱাঁ এতাৰ মাৰি গৰপালি
নেথাকিবা আৰু হাত সাবটি॥
সকলোৱে কাম কৰা এক মনে,
পুৱাব তেতিয়া দুখৰ ৰাতি।
নহলে নিশ্চয় অভিধান মেলি
নেপাবা আৰু অসমীয়া জাতি॥"

"কিন্তু ক'ত মহাপুৰুষ গুৰুজনে ভণা 'ৰামক গোসাঁই কৰোহোঁ গোহাৰি' বৰগীত দেখি আনন্দ লতি চকুৰ লোৰে তিতি-বুৰি যাম, দেখোন খালত পৰা অসমীয়াক তুলিবলৈ কিবা হেলো-হেচো! গীত পদ একাকি গাই কেতিয়াবা কোনোবাই নাদত পৰা অসমীয়াক তুলিব পাৰে নে? আনহে নেলাগে, চিত্ৰসেন গন্ধৰ্ব্ব বজাই অথবা আমাৰ বজাবৰীয়া গায়ন বাপী ওজাইও এনে অসাধ্য সাধন কৰিব পাৰিছে বুলি শুনা নাই। হায় বিধি! আমাৰ ভায়াহঁতে গছত গৰু তুলিলে, আৰু হোলোঙাৰে কাণ বিন্ধিলে

দেখিছো। পাটনাদত ঘটী পৰিলে লেজুৰেহে টানি তলিব পাৰি, গীতেৰে নহয়।

প্ৰথমতে, "অহং—একতালা।" হুখৰ বিষয়। কাৰণ, তোমাক ভাঙিব পাৰিম। দোতালা তেতালা চৌতালাবিলাক হে অমুকাই ভাঙিবলৈ টান পায়। একতালা একে মাৰেই ভাঙিব পৰা যাব। সেই বুলি দোতালাই হওক বা চৌতালাই হওক তাক ভঙা মোৰ যে অভ্যাস নাই এনে নাভাবিবা। যেনে কি তালাটো হওক মই তাক ভাঙিমেই ভাঙিম। শ্ৰীবিষ্ণু! "একতাল"! কি ভুল পঢ়িছিলো! মই বুঢ়া মানুহ বোপাইহঁত, চকুত চলিশাই ধৰিছে; মোৰ চকত একেবাৰেই আখৰটোৰ যোল কলা উদয় নহয় লাহে লাহেহে। গি যি হওক, একতাল যদি উখাহ পালো। কাৰণ অকলৈ এপাট তাল নেবাজে; গতিকে বুঢ়াৰ মুৰৰ কামোৰণিও ধৰিবৰ হুন্তুর নাই। আৰু চোৱা, ব্যাকৰণৰো মান বল। কথাখাৰ ছন্দ একতাল দেখি 'অহং' প্ৰযোগ হৈছে। দুতাল নোহোৱাহেঁতেন "আবাম" আৰু তেতাল চৌতাল হোৱাহেঁতেন "ধৱম" হলহেঁতেন।

হইৰ মন্দোদৰহকল, মই একতাল নেবাজে বুলি ভাবিছিলো। কিন্তু ভাবিলে কি হব! কলি কলীয়া তাল এপাটেই বাজি উঠিছে। শুনাঃ—"উঠা একেচিপে অসমীয়া ভাই।"

"উঠা বহা উজু কাম বুলি মোৰ হলে বিশ্বাস, আনৰ কি কব নোৱাৰোঁ। কিন্তু অসমীয়া ভায়ে যেতিয়া চিপ্ মাৰি উঠিব লগীয়াত পৰিছে, তেওঁৰফালে দিহা লাগিল বুজিবা! মই কওঁ, এনে অৱস্থাত অসমীয়া ভাই কিজন নুঠাই ভাল; কাৰণ, উঠিও যে তেওঁলোকে কিবা ধাম-পহু মাৰিব পাৰিব এনে ভৰখা আমি নাৰাখোঁ। বিশেষকৈ, চিপ্ মাৰি জানিবা তেওঁ উঠিলেই আমি আকৌ তেওঁক নপৰাকৈ আউজাই ধৰি থাকিবলৈ মানুহ পাওঁ ক'ত?

"বান্ধা ককালত টঙালি আঁট"

কৃষ্ণ শঙ্কৰ গুৰু! এইটো দেখোঁ নিচলা অসমীয়া কেইটাক বধিবৰ ব্যৱস্থা! কানিত অকচি উতনুৱা ডেকাখনে কৰে কি? তেওঁলোকৰ মতলবটো কি? একে বেলিয়েই খোলাখুলিকৈ কৈ দিলেই হয় যে, টঙালিখন ককালত নাটি টেটুত আটা।

"লোৱা বীৰ-সাজ, দিয়া দলিয়াই, কেচুৱা লৰাৰ ঘাগৰি গাতি।" শুনিলা? অসমীয়া কেচুৱা। তেওঁৰ গাত ঘাগৰি গাঁতি আছে। অৰ্থাৎ তেওঁ এতিয়াও আঠীয়া কল ছালি খোৱা অৱস্থাতে। তেন্তে নো সেই কেচুৱাই ৰাম-ৰাৱণ ভীম-অৰ্জ্জুনৰ বীৰ-সাজ পিন্ধি যুজ কৰিবলৈ গুলাব কেনেকৈ হে কোৰাঁচোন হৰাপতি ককাই? হাতত কাঠৰ হেঙুলীয়া জুনুকা লৈ যুজিবলৈ ওলোৱা কেচুৱা অসমীয়াৰ পল্টনটো দেখিবলৈ ধুনীয়া নহব নে বাৰু?

"উঠি কাম কৰা এৰি দিয়া তুমি
জুহাল গুৰিৰ কলা-ঘুমটি।
ইমানতে ভাই চোৱাঁ চকু মেলি
কানি খোৱাঁখোৱা পেলোৱাঁ কাটি"।

আহা হা! জোনাকী কাকত নহয় জানিবা পুৰন্দৰ বজাৰ নাতি হে! হুকুম কৰিলে, জুহালৰ গুৰিৰ পৰা উঠ! কলাঘুমটি এৰ! কানিৰ খোৱাঁ-খোৱা কাটি পেলা!

হেৰা জোনাকী পকৱা! তোমাৰ কিন্তু বুধিটোৰ গুৰিত কলহ চেৰেক পানী ঢালি আৰু আকোৰাঁলে নোপোৱা কৰি দিব লাগিল, নহলে কাম নচলে। যাৰ কাণৰ কাষত বিডিয়াই বা জয়-ঢোল কে বাই চকু মুকলি কৰিব লগীয়া হৈছে, গি "ৰণংবজা কৰি" আগুৱাব পৰা লোক হে। এচকু টোপনিৰে কেঁচাঘুমালা অসমীয়াৰ কেঁচা ঘুমটি ভাঙি, কুম্ভকৰ্ণক বাৰণে যি কৰিলে তুমি অসমীয়াক তাকে কৰিবৰ ফিকিৰত আছা হবলা? আমি তোমাৰ ফাকিত গতকাই নপৰো জানিবা! কানিৰ খোৱাঁখোৱা পেলাই আমি ৰণংবজা হাতত তুলি লম কিহৰ বাবত? ধ্বজা ছপিলে খোৱাঁ ওলাব নে নাই গাত বাগী লাগিব? তোমাৰ ধ্বজা তুমিয়েই লৈ ৰণ কৰা বা পৰ্ব্বত বিদাৰাঁ দেও হে, তাক আমাৰ হাতত নিদিবা। তোমাক খোলাখুলিকৈ কৈ দিওঁ যে আমাৰ ৰণংবজা আমাৰ হাতৰ খোৱাঁখোৱাবোৰেই, আমি তাক নেৰোঁ।

"মুৰঁবি তোমাৰ এনুৱা খিলাই
যাব খোজে হায় বুকু যে ফাটি।"

আমাৰ খিলাই মুৰঁবি তোমাৰ বুকু ফাটি যাব খুজিছে যাওক, আমাৰ তাত আপত্তি নাই। কিন্তু আমাৰ হলে, তোমাৰ বুকুখন চিঙাল ফটাদি ফাটি যাব খোজা শুনি জুহালৰ গুৰিৰ কলাঘুমটিটোৰেই ভাঙিব খোজা নাই। কিমধিকমিতি।

"পেলোৱা এছাৰ মাৰি সৰপালি"

'সৰপালি'টো কেচু কুমটি নহয় দেও হে যে তাক এছাৰ মাৰি পেলাম। সিতো আমাক কামোৰা নাই।

"পুৰাৰ তেতিয়া দুখৰ ৰাতি"

পুৱাৰ নোৱাৰিছে আৰি আমাৰ বাগী নেৰে মানে নুঠো; বেলি দুপৰলৈকে শুই থাকিম। ৰাতি পুৱা নুপুৱাৰে সৈতে আমাৰ সম্বন্ধ কি? আৰু

বাতিটো দুখৰ নে সুখৰ, তুমি কানি খোৱা, তেতিয়া বুজিবা।

"নহলে নিশ্চয় অভিধান মেলি
নেপাবা আৰু অসমীয়া জাতি"।

'নেপাম তো। অভিধানৰ পাতত নো অসমীয়া জাতিটো আছে বুলি তোমাক কোনে কলে? পৰ্ব্বতত নো তুমি কাছকণী বিচাৰা কিয়? তুমি কানি খোৱা ভাই তুমি কানি খোৱা, নহলে তোমাৰ বুধিৰ চোক নোলায, এই আমুকাইৰ নিৰহ-নিপানী পৰামৰ্শ।

অসমীয়া ভাখাৰ আকৌ উন্নতি কি? অসমীয়া ভাখাৰে তুমিও কথা কৈছা,ময়ো কৈছোঁ, মোৰ নাতি লৰাপোৱালী কেৰাইও কৈছে। উন্নতি নহলে আমাৰ তিনিউৰো কথা কোৱাত কিবা ব্যাঘাত হবনে? অসমীয়া ভাখাৰ উন্নতি হলে, আনৰ লাভ লোকচান যেই কিবা নহওক, আমুকাই কিন্তু বান-প্ৰস্থী হব লাগিব। কাৰণ এই উন্নতি নোহোৱা অৱস্থাতে তাক শ্ৰীযুত বুঢাৰ শ্ৰীমতী বুঢীয়ে শ্ৰীযুত বুঢাৰ ওপৰত যেনেকৈ ব্যৱহাৰ কৰে, তাৰ আকৌ উন্নতি হলে শ্ৰীযুত বুঢাই বননৈ নপলাই আৰু কৰিব কি?

মোৰ মতে, অসমীয়া ভাখা শাণ আৰু অসমীয়া বৈণীবিলাকৰ জিভা শণোৱা খুৰ। শাণ যিমান ভাল হব খুৰৰ চোক সিমান ওলাব। মই কওঁ, অসমীয়া ভাখাৰ উন্নতি মতা মানুহৰ দ্বাৰাই কেতিয়াও নহয়, সি তিৰোতাৰ দ্বাৰাহে হব। আৰু তত দিনে আমুকাই বৰ এৰি পলব লাগিব আৰু তাৰ নিমিত্তে তেওঁ প্ৰস্তুত আছেও।"

দদায়েক পদো আৰু ভাতিজাক ভদো

গুৱাহাটীৰ পৰা, বেঙা মেলি বুঢ়ুবী গাই আমাৰ বওহৰে পদো শইকীয়াৰ ঘৰত আলহী বলো। উজনিৰ বওহৰ ঘৰৰ লৰা আহিছে, এই বুলি শইকীয়া শইকীয়ানী আৰু পুতেক ডেকা শইকীয়াৰ নথৈ ৰং। আদৰ সাদৰেৰে শইকীয়া-পৰিৱাৰে মোক পুতি পেলালে।

সন্ধ্যা লাগি ভগাৰ পিচত, শইকীয়াই মোক মুকীয়াকৈ এখোটালিলৈ মাতি নি বহুৱাই এটুপি ফটিকা উলিয়াই অভ্যৰ্থনা কৰি কলে, "বোপা, তই মোৰ উজনিৰ বওহৰ লৰা। কতকাল তহঁতৰে সৈতে মই আঁতৰা আঁতৰি হৈ আছোঁ। তোক কি দিম, কি খুৱাম, মোৰ আছে কি? এটোপা ফটিকাকে খা মোৰ বোপাই। মোৰ ঘৰত কিন্তু মদ, ভাং কানি আদি সাত সুৰাৰ এক সুৰাও নচলে। বিশেষকৈ, মোৰ ঘৰৰ বৈণী আৰু পো এই বিষয়ত বৰ কট্ট-কটীয়া। সিহঁতে মোৰ ঘৰৰ চাৰি বেৰৰ ভিতৰলৈ ৰাগী লগা বস্তু সুমাব নিদিয়ে। মই বুঢ়া মানুহ, লুকাই-চুৰকৈ এটোপা আদটোপা কোনোবা কাচিৎ খাওঁ, খালে গাটো অলপ ভাল পাওঁ, এমুঠি ভাত খাব পাৰোঁ।" ইত্যাদি।

এই পাতনিৰ পিচত একোটোপা ফটিকা খাই আনন্দ কৰি মই সেই খোটালিৰ পৰা বাহিৰলৈ ওলাই আহিছোঁ, এনেতে শইকীয়ানী আহি চকুৰ ঠাৰ দি তেওঁ থকা ভিতৰৰ ঘৰৰ এখোটাদিলৈ মোক মাতি নি বহুৱাই তামোল-ছালিৰ বটা উলিয়াই কিছুমান পৰ কথা-বাৰ্ত্তা পাতি কলে, "বোপাই, তই আমাৰ উজনিৰ বওহৰ লৰা; কতকাল তহঁতৰে সৈতে আমাৰ দেখাশুনা নাই; তোক কি দিম, কি খুৱাম, আমি দুখীয়া মানুহ, আমাৰ আছে কি? এটুপি সাঁচতীয়া ফটিকা আছে, তাকে দিওঁ খা মোৰ বোপাই। আমাৰ ঘৰত কিন্তু এনেবিলাক বস্তু নচলে। আমাৰ ত'ত আৰু পোৱে আমাৰ চাৰি বেৰৰ ভিতৰলৈ এনে বস্তু সুমাব নিদিয়ে। মই বুঢ়ী মানুহ, গাৰ বিষত কেকোবা হৈ থাকোঁ; সেই দেখি লুকাই-চুৰকৈ কেতিয়াবা কাচিৎ ইয়াৰে এটোপা খাওঁ, খালে গাৰ বিষটো অলপ কম পাওঁ।"

শইকীয়ানীৰ অনুগ্ৰহ আৰু অনুৰোধত দ্বিতীয় বাৰ ফটিকা খাই, নাহেকৈ উঠি বাহিৰলৈ আহি অলপ থিয়াথিয়ি কৰিছোঁ, এনেতে পুতেক ডেকা শইকীয়াই তেওঁৰ শোৱনি ঘৰৰ ভিতৰলৈ মনে মনে মাতি নি কলে, "ভাই, তুমি আমাৰ নিজৰ দেশৰ মানুহ, বওহৰ ঘৰৰ লৰা। বিদেশত নিজ বওহ পৰিয়ালৰ মানুহ দেখা পালে মনত কি যে আনন্দ হয়, তাক কি কম। ভাই, তুমি গোটেইটো দিন বাটত দুখ পাই আহিছা দেখি মনে মনে এটোপা ব্ৰাণ্ডি খাবলৈ মাতি আনিলো। পিতাদেৱে আৰু আয়ে মদ ভাং কানি আমাৰ ঘৰৰ চাৰি বেৰৰ ভিতৰলৈ সুমাব নিদিয়ে। তেওঁবিলাক সেই বিষয়ত ভাৰী 'ষ্ট্ৰিক্ট'। মই কিন্তু ভাই কেতিয়াবা লগৰীয়া পালে এটোপা আদটোপা লুকাই চুৰকৈ খাওঁ।" ইত্যাদি ইত্যাদি।

সি যি হওক, মোৰ পেটত ওপৰা-ওপৰিকৈ তিনিবাৰ দেশী-বিদেশী ফটিকা পৰিল। ফকৰাত আছে, "বালি বীৰ, বলি বীৰ, অৰ্দ্ধ হনুমান।" কীৰ্ত্তন পুথিত আছে, "একে পাট শৰে বালি শক্তিলা বীৰ।" আমুকা, বালিৰ সৱনীয়া পুৰা বীৰ, বা বলিৰ জোৰৰ যোলঅনা বীৰ নাইবা হনুমন্তৰ শাৰীৰ আদখিনীয়া বীৰ বুলি কোনো

কৰবা বা শাস্ত্ৰৰ মতে প্ৰখ্যাত নহওঁ। তথাপি, এই কথা লক্ষ্য কৰিবলৈ পাহৰিব নেলাগে যে, তিনি খাৰ তিনি পাট শৰে হে আমুৰুৰ টলাব পাৰিলে। মহাবীৰ বালিৰ কিন্তু একেপাটতে স্বৰ্গ লাভ। আমুকাৰ গাত লগা শৰ কিপাট কিন্তু ফটিকাৰ শৰ; গতিকে বালিয়ে খোৱা পাটতকৈ চোকা, এই কথাও লক্ষ্য কৰা উচিত।

ৰাতি ভাত খাবৰ হল। লোক খাবলৈ মাতিলে। কিন্তু শইকীয়া শইকীয়ানী আৰু ডেকা শইকীয়া দেখি অবাক যে, মই ফটিকাৰ জালত, ভাত খাবলৈ যাওঁ ছাৰি, মূৰকে ডাঙিব নোৱাৰোঁ, আৰু কথা কবলৈ মোৰ জিভাই পোৰোল নেখায়। কাণ্ডখন দেখি তিনিও তিনিওৰ মুখলৈ চাই বিস্ময় মানিলে। অৰ্থাৎ তেওঁলোকে গাইপতি মনে মনে ভাবি আচৰিত হল যে, মুঠেই এবাৰ এটোপা ফটিকাই আলহীক কেনেকৈ এনে মতলীয়া কৰিলে।

মোৰ সেই ৰাতি আৰু ভাত খোৱা নহল। ৰাতি এখাৰমান বজাত বাগীৰ জালটো কমিল যদিও, আৰু ভোকে পেটত শাণে কটাদি কটা যেন পাইছিলো যদিও, মই লাজতে কাকো নেমাতি টলকা মাৰি শোৱাপাটীতে পৰি থাকিলো।

মোৰ শোৱাপাটিৰ ওচৰতে শইকীয়া আৰু ওঠৰ কি কুৰি বছৰৰ বয়সীয়া এটা ডেকা লৰা বহি নানান বাবে-ভচহ মেল পাতিছে। এনেতে, সেই ডেকা লৰাটোৱে এবাৰ শইকীয়াক সম্বোধন কৰি কলে "দদাই, তুমি সিদিনা কব খোজা সাধুটো কোৱা।"

পদো—"আজি আৰু কব নোৱাৰোঁ মোৰ বোপাই ভদো, ৰাতি ভালেখিনি হল, মই শুবলৈ যাওঁ।"

ভদো—"শুবলৈ গলে নহয় দদাই, ৰাতি ভালেখিনি হোৱা নাই। তুমি সদায় মোক এইবিলাক কি ফাঁকি দি থাকা?"

পদো—"তই যেতিয়া সাধু শুনিবলৈ ইমানকৈ ধৰিছ, মোক নেৰ মই জানিছোঁ, শুন তেন্তে।"

ভদো—"কোৱা দদাই, তুমি বৰ ভাল।" পদো শইকীয়াই আৰম্ভ কৰিলে—

"এক দেশত এক ডাঙৰ ৰজা আছিল। ৰজাৰ কনেক কুঁৱৰী, তথাপি ৰজা অপুত্ৰক। সেই নিমিত্তে ৰজাৰ মনত সুখ-শান্তি নাই। কুঁৱৰীসকলৰ মনত আৰু ৰাজ্যৰ সকলো প্ৰজাৰ মনতো সেই বাবে সদায় দুখ। পুত্ৰ বৰ লভিবৰ নিমিত্তে ৰজাই কত দান ধৰ্ম যাগ যজ্ঞাদি কৰিলে তাৰ সীমা সংখ্যা নাই, তথাপি ৰজাৰ সন্তান নহল। এদিন ৰজা পাত্ৰ মন্ত্ৰী সভাসদসকলেৰে সৈতে ৰাজসভাত বহি আছে, এনেতে 'মহাৰাজৰ জয় হওক' বুলি হঠাৎ এজন সন্ন্যাসী আহি ৰজাৰ হাতত এটা ৰগৰি দি কলে, 'মহাৰাজ। এই ৰগৰিটি যি তিৰোতা মানুহে খাব তেৱেঁই পুত্ৰৱতী হব'। সন্ন্যাসীৰ এই কথা শুনি ৰজা পৰম আনন্দিত হৈ ৰগৰিটো লৈ গৈ ৰবকুঁৱৰীক খাবলৈ দিলে। ৰগৰি খাই কুঁৱৰী গভৰতী হল। নিৰ্দ্ধাৰিত কালত কুঁৱৰীৰ এটি দিপ্‌লিপ্‌ লৰা উপজিল। ৰজা আৰু কুঁৱৰী-সকলৰ মনত আনন্দ আৰু ৰাজ্য উৎসৱৰ ঢৌত হেন্দোলদোপ্‌ লাগিল।

ঈশ্বৰৰ ইচ্ছাত সেই দিনাই ৰবকুঁৱৰীৰ লিগিৰী এজনীৰো এটা লৰা উপজিল। ৰজাৰ কোঁৱৰ আৰু লিগিৰীৰ লৰা একেলগে উমলি ডাঙৰ দীঘল হবলৈ ধৰিলে; আৰু দুইৰো মাজত বন্ধুতা জন্মিল।

ভদো—"কি অন্যায় পদো দদাই! লিগিৰীৰ লৰাৰে সৈতে ৰজাৰ কোঁৱৰৰ বন্ধুতা! ই হবই নোৱাৰে।"

পদো—"শুনি যা, শুনি যা, হব পাৰে নে নোৱাৰে সেইটো পাচে বিচাৰ কৰা যাব। লাহে লাহে ৰজাৰ কোঁৱৰ ডেকা হল। অস্ত্ৰ-বিদ্যা আৰু শাস্ত্ৰ-বিদ্যাত তেওঁৰ নিপুণ হৈ উঠিল। এদিন স্বৰ্গদেৱৰ অনুমতি লৈ হব-হস্তী পদাতিৰে সৈতে কোঁৱৰ মৃগয়া কৰিবলৈ গল। বাছি বাছি শালৰ পৰা দুটা তেজী ঘোঁৰা উলিয়াই লৈ এটাত ৰাজ-কোঁৱৰ আৰু আনটোত লিগিৰীৰ লৰা উঠিল।"

ভদো—"পদো দদাই, তুমি কি অন্যায় কথা কবলৈ লাগিলা? ৰাজকোঁৱৰে সৈতে সমানে সমানে ঘোৰাত উঠি কুকুৰখুলি লিগিৰীৰ লৰা মৃগয়া কৰিবলৈ গল। এনে কথা কেতিয়াবা হব পাৰে নে?"

পদো—"তই শুনি যা, শুনি যা, শুৰিবে পৰা গোলমাল কৰিবলৈ ধৰিলি কিয়? কোঁৱৰে মৃগয়া কৰি ভাগৰ লাগি এখন সৰোবৰৰ পাৰত জিৰাই ঘোৰাক পানী খুৱাইছে, এনেতে—"

ভদো—"অন্যায়! অন্যায়! ৰাজকোঁৱৰে নিজে ঘোৰাক পানী খুৱাবলৈ যাব কিয় লিগিৰীৰ লৰা থাকোঁতে? দদাই, তুমি লগুৱা লৰা এটাক ইমানকৈ বঢ়াই দিয়াটো একো ভাল কথা নহয় এক।"

পদো—"আঃ! এইটো সাধু-কথাহে, তই অবুজন হৈছ কিয়? শুনি যা। এনেতে সৰোবৰৰ সিপাৰলৈ ৰজাৰ কোঁৱৰৰ চকু গল। দেখিলে,

এজনী দিপ্‌লিপ্‌ কন্যাই কাষত কলহ লৈ পানী নিবলৈ আহিছে। ছোৱালীজনীৰ ৰূপ দেখি ৰাজ-কোঁৱৰ মূচ্‌কচ্‌ গৈ মাটিত পৰিল। লিগিৰীৰ লৰাই 'সখি কি হল?' বুলি আকোঁৱাল মাৰি কোঁৱৰক ধৰি তেওঁৰ মূৰত পানী দিবলৈ—"

ভদো—"কি দদাই, লিগিৰীৰ লৰাই ৰজাৰ কোঁৱৰক সখি বুলি মাতিবলৈ দিলা। কম বিয়াদপ নহয় দেখিছো।"

পদো—"ভেবাবাম অকৰাবাম। শুনি যা, শুনি যা। ই সাধু-কথা হে।"

ভদো—'কি সাধু-কথা! দদাই যোৱা! সাধু-কথা হল বুলি ৰাজকোঁৱৰক এনে অপমান কৰিবলৈ এৰি দিব পাৰিবিনে?"

পদো—"একো অপমানৰ কথা নহয়, শুনি যা, শুনি যা! চেতনা পাই ৰাজকোঁৱৰে লিগিৰীৰ লৰাক কলে, সখি—"

ভদো—"আকো? কি সখি হে! দদাই কি সখি? লোম-লেগুৰ বঞ্চিত লিগিৰীৰ লৰাই কোন বাপেৰৰ বলত সখি পাইছে? ৰাজকোঁৱৰে কেতিয়াও তাক সখি বোলা নাই। জানা পদো দদাই, এইবিলাক বৰ অসহনীয় কথা।"

পদো—"ভদো, তই কিবা কেচুৱা লৰা হলি দেখোন। সাধু কথাত আকৌ কি তই সেইবোৰ নিয়ম বিচাৰিছ? থাক শুন, শুন, এতিয়া। ৰজাৰ লৰাই লিগিৰীৰ লৰাক কলে, সখি, মই যদি সেই সুন্দৰী কন্যাক বিয়া কৰাবলৈ নেপাওঁ, তেন্তে মই এই খিনিতে প্ৰাণত্যাগ কৰিম। তুমি যদি মোক জীয়াই থকা দেখিব খুজিছা, তেন্তে এতিয়াই ইয়াৰ এটা দিহা কৰাঁ। আৰু মই তিনি সইত খাই কৈছোঁ, তুমি যদি সেই সুন্দৰীক মোক দিব পাৰা, তেন্তে মই ৰজা হলে তোমাক অৰ্দ্ধৰাজ্য দান কৰিম।"

"কি দদাই, তুমি খোপত খোপে বঢ়াই এজনী বান্দীৰ লৰা এটাক অৰ্দ্ধৰাজ্যৰ ৰজা কৰিবলৈ গৈছা, তোমাৰ ইমান সাহ! সহি থকা যেন দেখিছা হবলা?" এই বুলি উঠি নিজৰ ভৰিৰ পৰা চটি জোতা জোৰ সোলকাই লৈ দদায়েকৰ গালত চটপ্‌ চটপ্‌ লগাই ভদো ভো ভো কৰে উঠি গুচি গল।

কাণ্ডখন দেখি আমুকাইৰ গাৰ পৰা ফটিকাৰ বাকী ৰাগী সোপাই ফুৰ্‌ ফুৰ্‌ কৈ ৰবৰালৈ উৰি গল। ৰাতিৰ বাকী কেইডাব টলকা মাৰি পাটিতে পৰি থাকি, ফেহুজালি দিওঁতেই পদোৰামৰ ঘৰৰ পৰা মিলাৰাম পলাই পত্ৰং।

জোন-বিৰি

আমাৰ সংসাৰ

প্ৰথম দৰ্শন

(ভৱানীৰ বয়স ২২। স্বামী শম্ভুনাথৰ বয়স ৩০। জীয়েক চেনেহীৰ বয়স ৩ বছৰ। পুৱা ৯ বজা। বৰঘৰৰ ভিতৰ। ভৱানী শোৱাপাটীত। শম্ভু পাটীৰ কাষত থিয় হৈ।)

শম্ভু।—পিছে তুমি আজি নুঠা নে ? ৯ বাজিল। মোৰ কছাৰীলৈ যাবৰ সময়ও হলহি , এতিয়ালৈকে ভাত-পানীৰও একো দিহা নহল দেখোন ?

(উস্। আস্। কৈ ভৱানীয়ে কেকায়।) কি হৈছে ? কেকাইছা কিয় ?

(আকৌ দীঘল দীঘল কেকনি) নোকোৱা নো কিয় কি হৈছে ?

ভৱানী।—কি হব, একো হোৱা নাই। আমি মৰিলেও কিবা কোনোবাই আমাৰ বুজ লওঁতা আছে নে ? সকলোৱে কেৱল খাওঁ খাওঁ মূৰ্ত্তিহে। উস্। উস্—দেউতা ঐ—!

শম্ভু।—কি, জ্বৰ হৈছে নে ? চাওঁ।

(শোৱাপাটীত বহি ভৱানীৰ ককালত হাত দয়ে।)

ভৱানী।—সেই ফেৰাইহে বাকী আছে।—উস্। —আস্। ইস্।—

(চেনেহীৰ প্ৰবেশ)

চেনেহী।—আই, হেল আই, মোল ভোক আগিছে, দলপান দে।

(পাটীত উঠি মাকৰ গাৰ ওপৰত পৰে)

ভৱানী।—উস্। উস্। তইও আহিছনে মোক খাবলৈ ? জলপান বুলি মোৰ মূৰটোকে খা। গাৰ খিৰত লৰচৰ কৰিব পৰা নাই মই মানুহজনীয়ে, আটায়ে খাওঁ খাওঁ লগাইছে।

শম্ভু।—গা বেয়া যদি উঠিব নালাগে, শুই থাকাঁ। মই আজি বেজবৰুৱাৰ ঘৰৰ পৰা বিষৰ তেল আনি দিম, সেই তেল ঘহিলেই ভাল হব। চেনেহী আহ, মাৰক আমনি নকৰিবি ; মাৰৰ নৰীয়া হৈছে নেদেখিছ। মই জলপান খাবলৈ দিম আহ।

(ঠোন্-ঠোনাই কন্দা চেনেহীক কোলাত তুলি লৈ শম্ভু বাহিৰলৈ আহে।)

দ্বিতীয় দৰ্শন

(পুৱা ১০ বজা। আলিবাট।)

ঘিণাৰাম পেস্কাৰ—সেইটি নকললবিচ ডাঙৰীয়া নে ? বৰ মইও গৈছোঁ। আজি আমি গৱহাজিৰ হ্মংক যেন পাওঁ। হাকিম যে খুব সোনকালে কছাৰীলৈ আহিবলৈ ধৰিছে।

শম্ভু।—আহক, গৱহাজিৰ নহওঁ, দহহে বাজিছে।

ঘিণাৰাম।—আজি আপোনাৰ মুখখন শুকান কিয় ? গা ধুবলৈ নহল হবলা ?

শম্ভু।—এৰা, আজি আমাৰ ঘৰ-যৈণীৰ গা ভাল নহয়, সেই দেখি ভাত পানী বন্ধা নহল ; বাহী গায়ে কছাৰীলৈ আহিলো।

ঘিণাৰাম—আপুনি আজি এই চ'ত-মহীয়া দিনটো এই দৰেই কটাব নে কি ? নিজেই এমুঠি চাউল বহাই নাখালে কিয় ?

শম্ভু।—কিবা থাকবা কাকত এসোপা চাই থাকোঁতেই পলম হল, নোৱাৰিলো।

ঘিণাৰাম।—আপোনাসকল বামুণৰ জীৱ দুবাকাছৰ নিচিনা লেকেতা ; বতাহ খাইও আপোনালোকে তিন দিন কটাব পাৰে। আমি শূদিৰ মখাইহে এসাঁজ খাবলৈ নেপালে পেটৰ পোৰণিত ত্ৰাহি-মধুসূদন দেখোঁ। সোৱা হাকিম এতিয়াহে আহিছে। (প্ৰস্থান)

তৃতীয় দৰ্শন

(দুপৰীয়া ১২ বজা। বান্ধনি ঘৰ। ভৱানীয়ে ৰহি ভাত বান্ধিছে। চেনেহীয়ে কাষতে থিয় দি কল্-কল্ কৰে কথা কৈছে।)

চেনেহী।—আই, এই বল ফুটা মাঠটো মোল, নহয় নে বালু আই?

ভৱানী—হয় এই ৰৰ পুঠি মাছটো তোৰে; মোক ভাজি অতাবলৈ দে; আগৰপৰা আহুকাল কৰি নেথাকিবি।

চেনেহী।—হেল আই হেল, মোল ফালে ঠা ঠোন, আপাত আজি জেল নেমাল নে?

ভৱানী।—কেপ্‌কেপাই নেথাকিবি দেই, কোনে কলে আগ্‌াত তেল নেমাৰো বুলি তোক? চাওঁ গুচ, মোক তেলৰ চুপিটো আনিবলৈ দে।

চেনেহী।—আই হেল, ভাতে বক্‌বক্ কলে কিয়?

ভৱানী।—উতলি কৰে।

চেনেহী।—নহয়, নহয়, তই মোল দেউতালে সৈতে দন্দ কলে।

চতুৰ্থ দৰ্শন

(বান্ধনিঘৰৰ মজিয়া। ভৱানী আৰু চেনেহীৰ একেখন কাঁহীতে ভোজন।)

চেনেহী।—মোল বল ফটা মাঠটো তই নেকাবি, হেল আই।

ভৱানী।—নেখাওঁ।

চেনেহী।—(কান্দি) নেকাওঁ বুলি তই মোল বল ফুটি মাঠটোৰ আদখিনি কালি। দেউতা কেছালিল পলা আহিলে আজি মই কৈ দিম।

যেনে চোৰ তেনে টাঙোন

কটীয়া মোমাই চবকাবী মোমাই। সকলোৰে সৈতে তেওঁৰ মোমাই সম্বন্ধ লাগে। বগৰিওটি এটাৰ সমান ঘুটুঘুটু কৰে মোমাইটিক নৱালবিৰ বেলিকা চোলাৰ মোনাত সুমাই নৈ যাবলৈকো তুমি সাহ কৰিব পাৰা। তেওঁৰ বয়স কিমান আমি কব নোৱাৰোঁ, আৰু কোনে কব পাৰে, তাকো কব নোৱাৰোঁ। আমি সদায় তেওঁক একে চিন একে ছাৱেই দেখিছোঁ, এই মাত্ৰ। এটা উপমা দিওঁ। তোমাৰ সেই জগন্নাথীয়া পকা ৰঙালাওটো ৰবচাগুত তুলি যেনে থৈছা তেনে আছে; আমাৰ এই কটীয়া মোমাইটিও, এই পৃথিবীৰূপ ৰবচাগুত, বিধতাই তুলি থোৱা ভাৱেই গৰ্‌গৰিয়া দি পৰি আছে। সৰিয়হৰ ভুলিৰ বাওৰ মাজত সোমোৱা সৰিয়হটো ভালেমান কাললৈকে তাতে বৈ যায়, জাৰিলে জোকাৰিলেও নোলায়, আৰু সতকাই লোকৰ চকুতো নপৰে। এই সংসাৰ-ভুলিৰ বাওৰ মাজত আমাৰ মোমাই-কণো, সেই দৰে বিধতাৰ চকুত নপৰাকৈ বৈ গৈছে। মোমাই ৰৰ টক্‌টকীয়া; এলাহ কাক বোলে তেওঁ ভুকে নেপায়। দহ মাইল পোন্ধৰ মাইল বাটক তেওঁ বাট যেনকে নেদেখে। সমান খাটত ৰথৰ খিলা ঘূৰাদি তেওঁ ঘূৰি গৈ থাকে। তেওঁৰ ঘৰ যিখন গাঁৱত তৰ পৰা জিলালৈ পোন্ধৰ মাইলৰ ওপৰ হব। তেওঁৰ হেনো সেই ফেৰা বাট বুলনিঘৰৰপৰা ৰৰঘৰলৈ অহা যেনহে লাগে। ইয়াতেই বুজিবা। দুদিনে চাইদিনে মোমাই জিলালৈ আহি আহি থাকে। মোমাই আহিলে আমাৰ বৰ ৰং হয়। আমি বাহ-ল'ৰাই মেৰ্‌হি ধৰি "মোমাই আমালৈ কি আনিছা?" "মোমাই অমুক, মোমাই তমুক," ইত্যাদি কথাৰে তেওঁক নথে আমনি কৰোঁ। মোমায়ে কিন্তু সেই-বোৰত আমনি নাপায়। তেওঁ ৰৰৰ এঠাৰ আঙঠি; ল'ৰা, ডেকা, বুঢ়া সকলোৱে আঙুলিত কাপ খাই যায়।

কুহুকুহীয়া জাৰ। এদিন পুহমহীয়া গধূলি মোমাই জুহালৰ ওচৰত ভুৰবিপীৰা পাৰি বহিছে; তেওঁৰ সৈন্যসামন্ত সভাসদ পাৰিষদ আমি ল'ৰাবোৰো সেই জুহালৰ চাৰিউপিনে একোডোখৰ তেনে ভুৰবি পীৰা পাৰি বহিছোঁ। মোমায়ে হাচটি মেলি বাহঁৰ চুঙাৰ টেমাটোৰ ভিতৰৰ পৰা এটা ভেকুৰী গুটিৰ সমান মেচু মেচু কৰে কলা কানি উলিয়াই কোঁট-কৰে গিলি, তামোলছালিত কটাৰী বহুৱাইছে। এনেতে আমি গহীনকৈ মাত লগালোঁ "মোমাই, এটা সাধু—" গোটেই কথাষাৰ আমাৰ মুখৰপৰা ওলাবলৈ নোপাওঁতেই লগে লগে মোমাইৰ মুখৰপৰা এনে এটা ডাঙৰ ভেকাহীয়ে ঢেকেকনি মাৰিলে যে, একে ভেকাহীতেই আমি বালক-মণ্ডলী, নিয়াৰিৰ ওপৰত থকা বস্তা লোৰ পৰা হাতুৰিৰ মাৰত কিৰিঙতি ওকবাদি ওকৰি পৰিলো। কিন্তু মোমাইৰ গঢ়-গতি আমাৰ জনা আছে, প্ৰথম খুন্দাত খোপনি ৰখাৰ পাৰিলে, আৰু তুমি বৈ গলা। গতিকে, চকু চাওঁতেই আমি পিৰ্জনি মাৰি হাঁহি, আকৌ তেওঁক বেৰি ধৰি "সাধুকথা" "সাধুকথা" কৰি চিঞৰিবলৈ ধৰিলোঁ। অলপমান টলকা মাৰি থাকি মোমায়ে মাত লগালে, "তহঁত বৰ দুষ্ট ল'ৰা বুজিছনে? কি সাধু শুনিবি?"

আমি আহলাদত গদ্‌গদ্ হৈ কলো—"মোমাই তোমাৰ যিহকে কবৰ মন যায়।"

মোমাই।—"এটাই মোৰ আঙুলিকেইটা ফুটাই দে।"

মোমায়ে এই কথা কোৱা মাত্ৰকতেই আমি এটাইমখাই একেবেলিয়েই আঙুলি ফুটাবলৈ ওলালো। আমাৰ ভিতৰৰ সুযোগ্য দুজন সেই কাৰ্য্যত মনোনীত হল; আৰু নিমিষতে, এদাৰ ঠেঙুলি ভাঙোতে উঠাদি উঠা ফুট্‌ফুট্ শব্দ কাণ জুৰাই মোমাইৰ আঙুলিৰ গাঁথিৰপৰা উঠিবলৈ ধৰিলে। মোমায়ে সাধু আৰম্ভ কৰিলে :—

"মই যি সাধু কব খুজিছোঁ, তাৰ নাম, 'যেনে চোৰ, তেনে টাঙোন।' সেই তাৰ নামটো কি? আঃ কুলক্ষণীয়াৰ নামটোৱেই মনত নপৰে। সেই—সেই—আঃ—সেই গৰিহাখোৱাৰ নাম কি?"

আমি।—"কাৰ নাম মোমাই?"

"তাৰ।—বোলো, সেই তাৰ যাৰ নামটোৱেই মনত নপৰা হৈছে। মুখত গুটিসাঁচেৰে এচকু কণা, সেই আমতলত ঘৰ যাৰ। বোলো, সেই আমাৰ গাঁৱৰ মোলোকা বৰুৱাৰ পুতেক, ৰুদ্ ৰুদ্ ৰুদাই—ঠিক মনত পৰিছে। মোলোকা বৰুৱাৰ পুতেক ৰুদ্ৰামে, আজি এবছৰ হল, ভকলুৰ ছোৱালী-জনী বিয়া কৰাই আনিছে। তাইৰ দুখ (আহা! খপুৰী তাই পৰজন্মত কি পাপ কৰিছিল!) কুলাষ-পাচিয়ে নধৰে। খপুৰী বৰ বিতোপন ছোৱালী। সি দুৰাচাৰ। পুৱা-গধূলি নিতৌ সি তাইক ঢেকি-থোৰাৰে খৰিয়ায়। মাৰ খাই খাই তাই ঘুগুলাপছলা। দোষত? নহয়, নহয়, মোৰ কুটুম, বিনাদোষত, বিনাদোষত। কোনো জগৰ নাই তথাপি সি তাইক মাৰে। মিছাকৈয়ে দায় খুচৰি উলিয়াই সি তাইক কিলায়। ন দোষ নেপালে পুৰণি দায় খুচৰি উলিয়াই লৈ সি তাইক খুন্দে। বেছেৰীয়ে পিঠি পাতি দি সহি থাকে। দিনৌ ইমান মাৰ-কিল খায়, তথাপি বেছেৰীয়ে গিৰিয়েকক সুখে সন্তোষে ৰাখি-বলৈ মৰিমুজি যতন কৰে। তাইক মৰাটো কুলা-ধমৰ নিত্যকৰ্ম্ম। নহলে তাৰ হাত খজুৱায়; সুখ নেলাগে, সুত নেলাগে। নহলে পাপীক পোকে কামোৰে। পাষণ্ড! নৰাধম! তাই কন্দা-কটা কৰিলে কিলৰ জাউৰি আৰু বাঢ়ে। সেই মাৰকিলৰ কথা যদি কেনেবাকৈ তাই লোকক কলে, বা তাইৰ চিঞৰ-বাখৰ, কান্দোন কাটোন লোকে শুনিবলৈ পালে, তেন্তে মাৰ-কিলৰ জাউৰি সেই দিনা নথৈ বাঢ়ে। ওচৰচুবুৰীয়াই মাৰকিলত হকা-বধা কৰিলে তাৰ হোৰ বৈণীয়েকৰ পিঠিত দুগুণ উঠে। ইকালে পাঁজীৰ, লোকে শুনিলে লাজটোও আছে। নিলাজ! নিধক! নিলাজৰ আকৌ লাজ, কেকোৰাৰ আকৌ মূৰ! তোম ডেম কুল পাজী! তোমাৰা লাজ হ্যায়? তোমাৰা চৰম হ্যায় নন্‌চন্! ইষ্টপিট্!"

আমি।—"মোমাই, কাক ইমানবোৰ গালি পাৰিছা?"

"সেই তাক। সেই বৈণীয়েকৰ মগুহ-খোৱাক। ৰুদাই নে কি সেইটোক। উস! এদিন নহয়, দুদিন নহয়, মাহেক নহয়, পষেক নহয়, গোটেই বছৰটো সি তাইক খুন্দিছে বিয়া কৰি আনিৰৰ দিনচেৰেকৰ পিছৰপৰাই বুলিব লাগে, পাপীয়ে তাইক কলাগুটিবাদ্যং কৰিব লাগিছে। এনে কথা ক'ত দেখিছা, ক'ত শুনিছা! গাঁৱৰ মানুহে পোনতে হকাবধা কৰিছিল। পাছে এৰি দিলে, তোৰ যি মন যায় কৰ বুলি। তাইক কুটি বাছি খা বুলি। কিয়নো, তাৰ ফল বিপৰীত হয় দেখি। লোকে হকাবধা কৰিলে তাইৰ পিঠিৰ কিলৰ জাউৰি বাঢ়ে, আৰু হকাবধা কৰা সকলৰ বঁটা গালি-শপনি হয়।

"দৈ কলঙনী বাই দৈকলঙীয়া গাঁৱৰ নাম-জ্বলা মাছৰ পোহাৰী। বৰ বুধিয়ক। তহঁতে তাইক দেখা নাই হবলা? তাই দেখিবলগীয়া তিৰুতা; জিলালৈ মাজে-সময়ে আহে। এদিন তহঁতক দেখুৱাম। দৈকলঙীয়া গাঁও, ওচৰৰে গাঁও। এদিন মাছ বেচিবলৈ আহি দৈকলঙীয়ানী ৰুদাইৰ ঘৰত উপ-স্থিত। ৰুদাই ঘৰত নাস্তি। বৈণীয়েকে চোতালতে বহি চকুৰ লো টুকিব লাগিছে। দৈকলঙীয়ানীয়ে মাত লগালে—'খাবলই ভাল মাছ আছে, লবি নে আই? কি হল আই হে কিয় কান্দিছ?'

ৰুদাইৰ বৈণীয়েক—'মাছ নালাগে। একো হোৱা নাই—মোৰ আকৌ কি হব দেও হে।'

দ, ক,।—'এনে কথা কিয় কৰ মোৰ আই হে, একো নোহোৱাকৈ মানুহে কান্দে? কি হৈছে মোৰ আই ক?'

"গিৰিয়েকৰ কিল মাৰৰ সকলো কথা দৈক-লঙীয়ানীয়ে তাইৰ পৰা উলিয়াই লৈ দুখ পতিয়াই কলে,—'আই, শুন, আজি মই গধূলিকৈ এবাৰ আহিম, আহি তোক মই যিহকে কওঁ তাকে যদি কৰ তেন্তে তোৰ গিৰিয়েৰে নিশ্চয় তোক আৰু নমৰা হব।' 'বাৰু বাই তুমি আহিবা গধূলিকৈ; মোক যিহকে কৰিবলৈ কোৱা তাকে কৰিম' এই বুলি ৰুদাইৰ বৈণীয়েকে দৈকলঙীয়ানীক কৈ বিদায় দিলে।"

এই খিনিতে দেখোন আমাৰ কটীয়া মোমায়ে মৌনভাৱলম্বন কৰিলে। আমি কাৰণ বিচাৰি মোমাইৰ

মুখৰ ফালে নিৰীক্ষণ কৰি পালো তেওঁৰ চকু মুদ-খোৱা আৰু মুখে ৰৱণী বোৱা। আমি মাত লগালো, "মোমাই দেখোন তুমি খিতাতে চেঙেলি টোপাৰলৈ লাগিলা ? তাৰ পিছত ?" মোমায়ে লাহেকৈ চকু দুটা মেলি উত্তৰ দিলে, "কিহৰ পিছত ?"

আমি।—"দৈকলভীয়ানী বিদায় হোৱাৰ পিছত ?"

মোমাই।—"কণীয়া মোমায়েৰে চেঙেলি টোপা-ৰলৈ লাগিল।"

আমি।—"তাৰ পিছত ?"

মোমাই।—"চেঙেলি এটা ধৰা পৰিছিল।"

আমি।—"তাৰ পিছত ?"

মোমাই।—"তহঁতৰ কেপ্‌কেপনিত থাকিব নোৱাৰি এতিয়াই হাতৰপৰা সুলকি গল।"

আমি।—"যোৱা মোমাই, তুমি কি ধেমালি কৰিবলৈ লাগিলা ? দৈকলভীয়ানী বিদায় হোৱাৰ পিছত কি হল কোৱাঁ ?"

মোমাই।—"কি হব আৰু ; আধ্যা পৰিল।"

আমি।—"বাৰু আধ্যা পৰিল পৰক, আকৌ নকৈ একাধ্যা আৰম্ভ কৰাঁ মোমাই, নহলে আমি নেৰোঁ ; বোলো কেতিয়াও নেৰোঁ।"

মোমাই।—"নেৰ যদি কৰিলো আৰম্ভ এই।"

দ্বিতীয় আধ্যা

গৰু-গাই ঘৰ চাপিল ; সন্ধ্যা লাগিল ; লাগি ভাগিল ; ভাগি এন্ধাৰ হল ; আৰু কন্দাইৰ ঘৰৰ পাছচোতালত দৈকলভীয়ানীৰ ডিঙিৰ মাত শুনা গ'ল—"অ আইটী !" মাত শুনি কন্দাইৰ ঘৈণীয়েক ওলাই আহিল। তাৰ পিছত দৈকলভীয়ানীয়ে তাইৰ হাতত এটা বস্তু দি, কাণে কাণে অলপমান ৰেলি ফুচুফুচাই কিবা বুধি দি, গুচি গল।

আমাৰ মোমাই ডোখৰে আকৌ টলকা মাৰিলে। আৰু এই দোক্‌মোকালিতে চেলু পাই তেওঁৰ নাকে ওপৰাওপৰিকৈ দুবাৰ মাতিও ললে।

আমি।—"মোমাই মোমাই। তুমি আকৌ কি টোপনিয়াবলৈ লাগিলা ? যোৱাঁ। তাৰ পিছত কি হল কোৱাঁ ? মোমাই। মোমাই।"

মোমাই।—"কি হল ?"

আমি।—"তাৰ পিছত ?"

মোমাই।—"কিহৰ পিছত ?"

আমি।—"দৈকলভীয়ানী যোৱাৰ পিছত ?"

মোমাই।—"দৈকলভীয়ানী যোৱাৰ পিছত কি হল, কলো নহয় !"

আমি।—"কেতিয়া ক'লা ?"

মোমাই।—"এতিয়াই।"

আমি।—"যোৱা মোমাই, টোপনিৰ জালত তুমি কি কৈছা একো ঠিক নাই। একো নোকোৱা-কৈয়ে বুলিছা কলো।"

মোমাই।—"তহঁত নিতান্ত বুধি-নাইকিয়া লৰা বুজিছনে। দৈকলভীয়ানী যোৱা কথা কোৱাৰ পাছত মই কি কৰিছিলো ?"

আমি।—"তুমি নাক ডকাই টোপনিয়াইছিলা।"

মোমাই।—"তেন্তে ? বুজিব নোৱাৰিলি ? দৈকলভীয়ানী যোৱাৰ পিছত গিৰিয়েকে ঘৈণীয়েক দুয়ো খাই শুই থাকিল। আৰু এইখিনিতে এই আধ্যা পৰিল।"

আমি।—"পৰিল পৰক, আকৌ নতুন আধ্যা উঠক।"

মোমাই।—"মোৰ মুখৰ তামোলখন ভালকৈ পাগুলি নললে নুঠে।"

চূণ-ধপাত ডেৰাছালিৰে পাগ-লগা তামোলখন ভালকৈ পাগুলি, সাধু-কথাটোৰ খিলা চাইটাত ভালকৈ তেল সানি লৈ মোমায়ে দুনাই লেজু ধৰি ঘৰবকৈ গাধুটো টানি লৈ যাবলৈ ধৰিলে।

"ল'ৰাহঁত, এই পালোহি।"

তৃতীয় আধ্যা

পিছ দিনা হালোৱাতলিৰপৰা সোনকালে হাল মেলি ঘৰলৈ উভতি আহি কন্দ্রামে ঘৈণীয়েকক মাত লগালে "ঐ অ'! বোলো শুনিছনে হয় ? বেগাই আহ !"

ঘৈণীয়েক।—"শুনিছোঁ ! কি হল ? আজি দেখোন ইমান সোনকালে হাল মেলি আহিলা ? সেইটো বৌ মাছ ক'ত পালা ?

কন্দ্রাম।—"সেই উৰিআম জোপাৰ তলত হাল বাওঁতে নাঙলৰ ফালত এই বৌ মাছটো উঠিল। কেনেকৈ মাটিৰ তলত বৌ মাছটো ওলাল গৈ কব নোৱাৰোঁ। চাচোন, ডক্‌ডক্ কৰে জীয়া মাছটো। কাকো নকবি। ওচৰচুবুৰীয়াই গম পালেই ভাগ বিচাৰি ওলাবহি। হোঁ, লৈ যা, ভালকৈ টেঙা দি এখন আঞ্জা ৰান্ধ। খুটুনাচেৰেক ভাজিবিও। মূৰ-টোৰে সৈতে অলপ মাছ গধূলি সাজলৈকো থবি।

থাকে যদি দুখুটুৱামান কাইলৈকো থলে ভালেই। ভালেই কি, কাইলৈকো থবই লাগিব।"

ধৈণীয়েকে আনন্দ প্ৰকাশ কৰি লাহেকৈ উঠি মাছটো লৈ ভিতৰলৈ গ'ল।

আমাৰ কটীয়া মোমায়ে আকৌ টলকা মাৰিলে। আমি মাত লগালো, "মোমাই ৰলা কেলৈ? আকৌ টোপনিয়াইছা নে কি? নোটোপনিয়াবা মোমাই, তোমাৰ দুটি ভৰিত ধৰিছোঁহঁক, বেগাই কৈ অন্ত কৰি পেলালে আৰু তোমাক আমি দিগ্‌দাৰি নকৰোঁ।"

মোমাই—"তহঁত বৰ উতনুৱা নৰা বুজিছনে। ততকে নিদিয়। হুতাইতাই। এই আধ্যা পৰিল দেখি ৰৈছোঁ। এতিয়া পালোহি।"

চতুৰ্থ আধ্যা

এই আধ্যাৰ আদিতে, কন্দাইৰ ধৈণীয়েকে, "ৰাইজ চোৱাহঁত ঔ। মোক বিনাদোষত এই দিন-দুপৰত মাৰি ঘুগুলাপছলা কৰিলে। হে ৰজাৰ শৰণ! ৰাইজ আহাহঁক ঐ। কিলত মোৰ হাড় মুৰ ভাগি গুড়ি হ'ল।" এই বুলি চিঞৰত গছৰ পাত সৰাইছে। আৰু "নিচিঞৰিবি মোৰ বৌ মাছটো নেৰান্ধি কি কৰিলি ক, তোক মই আজি ডোখৰ ডোখৰকৈ কাটিম" এই বুলি কন্দায়ে ধৈণীয়েকৰ পিঠিত হাত ভৰি সমানে চলাবলৈ ধৰিছে।

কিলৰ জাউৰি আৰু চিঞৰ-বাখৰ আন দিনতকৈ বেছি হোৱা শুনি চাৰিওফালৰ মানুহ বাধ্য হৈ চাপি আহিল। "ৰ, ৰ, কিয় ইমানকৈ তাইক মাৰিছ? নেমাৰিবি" বুলি কন্দ্ৰামৰ ওপৰত ৰাইজৰ হুকুম পৰিল।

কন্দাই।—"কিয় নেমাৰিম? এইক আজি কাটি ডোখৰ ডোখৰকৈ শিয়াল-কুকুৰক দিম। এই মোৰ বৌ মাছটো কি কৰিলে?"

ৰাইজ।—"হেৰ কি বৌ মাছ অ'?"

ক, ধৈণীয়েক।—"কি বৌ মাছ, দেউতাসকল আপোনাসকলে তেওঁক শোধকচোন?"

কন্দাই—।"কি বৌ মাছ। চুৰুনী, কি বৌ মাছ। মই আজি ৰাতিপুৱাই সেই উৰিআনৰ তলত হাল বাওঁতে পোৱা বৌ মাছটো, তোক যে ৰান্ধিবলৈ দিছিলো? এতিয়া কি বৌ মাছ বুলি আসৈ মাতিছে।"

ৰাইজ।—"হাল বাওঁতে কেনেকৈ বৌ মাছ পালি হেৰ কন্দাই?"

কন্দাই।—"হাল বাওঁতে মাটিৰ ভিতৰৰপৰা নাঙলৰ ফালত উঠিছিল।"

ক, ধৈ,।—"শুনিলে দেউতাসকল, ৰাইজ, শুনিলে এতিয়া? এনে অদ্ভুত কথা শুনিলে? শুকান মাটিৰ তলত কৰবাত বৌ মাছ থকাটো আপোনাসকলে শুনিছে নে দেউতাসকল, মই আপোনাসকলৰ চৰণত দান্তে তৃণ ধৰি চুলি ছিঙি কাতৰ কৰি শুধিছোঁ? দেউতাসকল, এওঁৰ মূৰৰ ঘিউ বেয়া হৈছে, নহলে এনে নাভূতনাশ্ৰুত কথা কৈ কিয় মোক এইদৰে চোৰ-কিলোৱা দিব?"

"ঠিক, ঠিক, ই বলিয়া। ইয়াক বান্ধ, নহলে ই মানুহদুনুহ মাৰিব।" এই বুলি ৰাইজে কন্দাইক ভালকৈ হাতে-ভৰিয়ে বান্ধি এন্ধাৰ ঘৰ এখোটালিত পেলাই থৈ দিহাদিহি গুচি গ'ল।

আমি।—"মোমাই তাৰ পিছত?"

মোমাই।—"তাৰ পিছত আৰু কি, সি বলিয়া সাব্যস্ত হ'ল, আৰু গৰুৰ পঘা আৰু হাতীৰ ফইত বান্ধ খালে। আৰু এই আধ্যা পৰি গ'ল।"

আমি।—"নাই পৰা আধ্যা মোমাই, তোমাৰ দুটি ভৰিত ধৰিছোঁ, আৰু তাৰ পিছত কি হ'ল কোৱা?"

মোমাই।—"নাই পৰা কিয়? পৰিল, পৰি আকৌ একাধ্যা উঠিল, যাৰ নাম—

পঞ্চম আধ্যা

এই আধ্যাত কন্দাইৰ ধৈণীয়েৰে বান্ধ খাই পৰি থকা গিৰিয়েৰক অকলৈ পাই, ওচৰ চাপি আহি কাণৰ কাষত লাহেকৈ মাত লগাইছে—"কেনে? মোক নিতৌ মাৰিবানে? আজিৰ পৰা যদি মোক আৰু নামাৰো বুলি সৈ বাচা, তেন্তে, এতিয়াই মই ৰাইজক কৈ তোমাক মুকলি কৰাই দিয়াম। আৰু যদিহে সৈ নেকাচা তেন্তে সদাই এই বলিয়াৰ বান্ধত পৰি থাকিব লাগিব। মাছটো তেও মঙেহে ৰাতি নৌ পুৱাওঁতেই হালোৱাতলিত পুতি থৈ আহিছিলো।"

কন্দাই—"মই তোৰ আগত সৈ কাচিছো, গুৰুঘৰৰ শপত খাই কৈছোঁ, আজিৰপৰা তোক কেতিয়াও নামাৰো। মোৰ দোষ তই ক্ষমা কৰ। মোক মুকলি কৰি দে।"

"ইয়াৰ পিছত, নানা দৰৱজাতি দি ভাল কৰিছো বুলি ৰাইজক বুজাই কন্দাইৰ ধৈণীয়েকে গিৰিয়েকক

বোকলাই দিয়ালে। তহঁতৰ কটীয়া মোমায়েৰৰ গাৰ কানি-কাপোৰ সোপাই ক'লা হ'ল দেখি তেওঁ টুক-টুককৰে নগৰলৈ গুচি আহিল।"

কনকলতা

(ঐতিহাসিক উপন্যাস)

প্ৰথম আধ্যা

তেতিয়া আসামৰ ৰাজপাটত জয়ধ্বজ সিংহ; দিল্লীৰ ৰাজপাটত আউৰংজেব; পুৰন্দৰ-দুৰ্গত শিৱাজী; পুৰন্দৰৰ স্বৰ্গত শিৱাজীৰ "বাবাজী"; ইংলেণ্ডৰ "প্ৰণত" চাৰ্লচ দ্বিতীয়; হলেণ্ডৰ "প্ৰণত" উইলিয়েম তৃতীয়; ৰোমৰ বেদীত পোপ পায়চ; আউনী-আটীৰ গাদিত দেৱ নিৰঞ্জন; পিকিন নান্‌কিনত কোন আছিল নাজানো; কিন্তু তিব্বতত হলে তিব্বত এতিয়া যেনেকৈ আছে তেতিয়াও তেনেকৈয়ে আছিল নিশ্চয়।

দিল্লীশ্বৰ আউৰংজেবৰ দুৰ্দ্ধৰ্ষ সেনাপতি বঙ্গৰ নবাব মিৰজুম্‌লাই আসাম আক্ৰমণ কৰিবৰ অভিপ্ৰায় কৰি যুদ্ধযাত্ৰা কৰি আহিল। দুৰ্গম পথ। গহন বন। বনৰীয়া জন্তুৰে পৰিপূৰ্ণ অটব্য অৰণ্য। কিন্তু মহাবীৰ মিৰজুম্‌লাৰ গতিৰোধ কৰে কিহে? ডাঠ হাবি তঁহিলং কৰি ৰবটাৰ পাতেৰে গা কাটি, নল খাগৰি ভৰিৰে গচকি জোল কৰি লাহে লাহে বাটকুৰিবাই, দিনটোত পাঁচ ছয় মাইলকৈ আহি মিৰজুম্‌লাই যেতিয়া বীৰদৰ্পেৰে গুৱালপাৰাত উপ-স্থিত হলহি, তেতিয়া আসাম ৰজাৰ অসমীয়া সৈন্যই অৱজ্ঞাভাৱেৰে যৱনক যুদ্ধ নিদি বাট এৰি দিলে। অসমীয়াৰ হাতত মোগল সৈন্যৰ এই প্ৰথম বাট। মোগল সৈন্যই অপমানিত আৰু লাঞ্ছিত হৈ "বিমন-মুখে অধোবদনে" ভৰিৰ দহো আঙুলি ঘনে ঘনে লেখি মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে বাহুদমকি লাহে লাহে এপখে আহি, বেলি পৰোঁ পৰোঁ হোৱা সময়ত গুৱাহাটী নগৰত ভৰি দিলেহি। সূৰ্য্য অস্তা-চলৰ টিঙত। নবাবে সসৈন্যে পশ্চিম ফালে মুখ কৰিলে আৰু সন্তৰ্পণে আঠুকাঢ়ি আল্লাৰ নাম কৰিলে। কোৱা বাহুল্য যে মীৰজুম্‌লাই যথাসম্ভৱ আৰু যথা-বিহিত কোপ্তা-কাবাব আৰু মোগ্‌লাই-বোট ভোজন কৰি সেই ৰাতি শয়ন কৰিলে। পিছ দিনা পুৱা হল আৰু মিৰজুমলাই গুৱাহাটী এৰি উজাই গ'ল। বাটত চিমলাগড় আৰু চাম্‌ধৰা নামে দুটা অসমীয়া দুৰ্গত মিৰজুমলাই উজুটি খাই পৰি দুইটা দখল কৰি ললে। গড়গাঁৱৰ ওচৰত মিৰজুমলাৰ ধোঁৱাই হেঁসাম পাৰিলে, দাঁতালে চিঞৰিলে, চিপাহীয়ে দুপ-দুপালে, ঘোঁৰাই হিলৈয়ে দুমদুমালে। জয়ধ্বজসিংহই এই-বোৰ শুনি বৰ আমনি পাই, "আঃ বৰ দিগ কৰিবলৈ লাগিল।" এই বুলি কৈ গড়গাঁও আৰু দুৰ্জ্জনক দূৰতে পৰিহাৰ কৰি, নামৰূপ নামৰ ঠাইলৈ প্ৰস্থান কৰিলে।

এনে হুলস্থূল গড়গাঁও চহৰত; আন এবিধৰ হুলস্থূল চোলাধৰা ফুকনৰ ঘৰত। চোলাধৰা ফুকনৰ নাম ডম্বৰুধৰ; অৰ্থাৎ তেওঁ বিষয়ৰ হিচাপত ঠিকত ৰজাৰ চোলা ধৰে, আৰু নামৰ হিচাপত সপোনত হৰৰ ডম্বৰু ধৰে। তেওঁৰ জীয়েকৰ নাম কনকলতা; জোঁৱাই পদৰ উমেদাৰ জনৰ নাম কেশৱচন্দ্ৰ। কুমাৰী কনকলতাৰ মনৰ মানুহ কিন্তু গগনচন্দ্ৰহে। কেশৱচন্দ্ৰৰ উপাধি বৰুৱা; গগনচন্দ্ৰৰ উপাধি অজ্ঞাত। সম্ভৱতঃ শইকীয়াই কি হাজৰিকাই কিবা এটা; অপাৰগ পক্ষত বৰা নহে নাসাবে।

চোলাধৰা ফুকনৰ ঘৰ গড়গাঁৱতে। ৰজা জয়ধ্বজ সিংহ আৰু ৰাইজৰ লগতে তেৱোঁ চকু মুদি নবাবৰ আগমন দেখি, গড়গাঁৱৰ পৰা বহিৰ্গমন কৰিলে।

এটাৰ পিছত এটাকৈ কুমাৰী কনকলতাই তেওঁৰ জীৱনত যোলটা বসন্ত দেখিলে, লেখিলে আৰু খেদিলে। জ্ঞান প্ৰাণ অনুভূতি সহানুভূতিৰ তেওঁ সোৱাদ ললে। স্বাধীনতাৰ ৰ'দ কাচলিত বহি আপোন ইচ্ছাশক্তিৰ এচোকা-দোচোকা তেওঁ পান কৰিলে। গতিকে তেওঁ দেউতাকৰ চকুৰে বাট নুবুলিবলৈকে মনতে থিৰাং কৰি পেলালে।

ওপৰত কোৱা হৈছে যে জয়ধ্বজ সিংহৰ লগত তেওঁৰ বিশ্বাসী বৰুৱা ফুকন আদি বিষয়াসকলো পলায়ন-পৰায়ণ হৈছিল। ৰজাৰ বিশ্বাসী বিষয়া ডম্বৰুধৰ ৰজাৰ লগত সপৰিবাৰে যেতিয়া, তেওঁৰ পৰিবাৰভুক্তৰ অৰ্দ্ধে বঞ্চিত কেশৱচন্দ্ৰও তাতে। কঠাল-এঠা গগনচন্দ্ৰও তেওঁলোকৰ পিছে পিছে; অৱশ্যে কনকলতাৰ সঙ্কেতত আৰু তৰৱৰীৰ সহায়ত। তৰৱৰী ডম্বৰুধৰৰ বেটী; গতিকে কনকবো। তাই কনকলতাৰ প্ৰিয়পাত্ৰী; বয়সত কনকৰ ওচৰাওচৰি; স্বভাৱত মৃদু; বুধিত চৈঙৰী।

ডম্বৰুধৰৰ প্ৰতিজ্ঞা আছিল যে গগনে তেওঁৰ চাৰিচাপৰ ভিতৰত ভৰি দিলে, তেওঁক ধৰাই নি ৰজাক কৈ চাণ্ডালৰ হাতত সমৰ্পন কৰাব। সেই-দেখি গগনৰ গতিবিধি আঁতৰে আঁতৰে।

ৰাবিয়া মিৰজুমলাৰ সৈন্য গড়গাঁও আৰু মথুৰা-পুৰৰপৰা ইফালে সিফালে চলাচল কৰি ফুৰিব নোৱাৰা হ'ল; আৰু অসমীয়া ধনুৱাবিলাকৰ martial spirit অৰ্থাৎ যুদ্ধৰ তেজ বাঢ়ি উঠিল। সিহঁতক অসমীয়াই চাৰিউফালৰপৰা চেপি আনিলে।

অসমীয়া হিলৈদাৰীৰ হিলৈগুটিৰ আৰু কাঁড়ীৰ কাঁড়ত মিৰজুম্‌লা সসৈন্যে অলাকলা হ'ল। ১২,০০০ মুছলমান সৈন্যক এমুঠি অসমীয়া সৈন্যই ছমাহলৈ গড়গাঁৱতে বেঢ়ি ধৰি চেপিলে আৰু খুন্দিলে। কোনো কোনো দিনা জয়ধ্বজ সিংহই নিজে আহি আক্ৰমণকাৰী অসমীয়া ৰণুৱাৰ সেনাপতিত্ব কৰিছিল।

তিনিজন লোকে তিনি প্ৰকাৰে ভাবিছিল,—ডম্বৰুৱে ভাবিছিল মীৰজুমলা-ব্যাপাৰৰ এটা মীমাংসা হৈ গৈ দেশত শান্তি স্থাপিত হলে, তেওঁ গৰগাঁৱৰ ঘৰলৈ উভতি গৈ কেশৱচন্দ্ৰৰ হাতত কনকলতাক সম্প্ৰদান কৰিব। গগনচন্দ্ৰই ভাবিছিল, তেওঁ তাৰ আগেয়েই কনকলতাক হস্তগত কৰিব। কনকলতাই ভাবিছিল, তেওঁ গগনক সেই কাৰ্য্যত সহায়তা কৰিব। সেইদেখি এই গোলমলীয়া গোচৰটো সম্প্ৰতি এতিয়া নিৰ্ব্বন্ধকাৰ প্ৰজাপতিৰ "ফাইলত মলতৰি" হৈ বল।

গগনচন্দ্ৰই জানে, ডম্বৰুৰ কট্‌কটীয়া মুঠিৰপৰা তেওঁ কনকক সৰকোৱা টান। ডম্বৰুৰ ওচৰত তেওঁৰ কোনো আশা ভৰসা নাই, সেইদেখি গগনে দুখীয়া হিয়াৰ বোজাটো হিয়াতে ভাৰ বান্ধি লৈ, নিজৰ আৰু দুখৰ এই দুইটাৰ ভাৰ এক দৈব্যৰ ওপৰত দি, ডম্বৰু থকা ঠাইৰ ওচৰ নাচাপি আঁতৰ আঁতৰে ফুৰিবলৈ ধৰিলে। ডম্বৰুৰ জ্ঞান নাই যে তেওঁ তেওঁৰ নেজত অজ্ঞাতসাৰে গগনক নামৰূপলৈ বান্ধি নিছে। এদিন দূৰত গগনৰ নিচিনা মানুহ এটাৰ ছাঁ দেখি তেওঁৰ সন্দেহ হ'ল কিজানি সেইটো গগন। সেই দিনাৰেপৰা ফুকনে কনকৰ ওপৰত সাৱধানৰ চকু কট্‌কটীয়া কৰিলে। কিন্তু কনকলতাৰ হাতত গগনৰ দাঁড়ৰ বাতৰি দাঁড়ে।

তম্‌বৰী কনকৰ বিপুৱা। কনক-গগনৰ বই-বাতৰি খা-খবৰ আমদানি-ৰপ্তানিৰ সুতী তৰৱৰীয়েই। কনকলতাই তম্‌বৰীক আশা দিছিল—"গোসাঁয়ে যদি মোৰ মনৰ বাঞ্ছা সিদ্ধি কৰে তেন্তে তোৰ কাণত বাখৰ-পতোৱা সোণৰ লোকাপাৰ আৰিম।" গগনে কৈছিল—"তম্‌বৰী বাই, মোৰ মনকামনা সিদ্ধি হলে, তোৰ হাতত সোণ-খটোৱা খাৰু পিন্ধাম।" তৰৱৰীয়ে গগনক আশ্বাস দিছিল —"কৃষ্ণই ৰুক্মণী পোৱাদি তুমি আমাৰ আইটীক পাবা।"

দ্বিতীয় আধ্যা

আন্ধাৰ ৰাতি। টিপ টিপ বৰষুণ। এনেহে ঘোপনৰা আন্ধাৰ যে মুৰে হাত নেদেখে, হাতে ভৰিৰ উজান নাপায়, ভৰিয়ে মাটি নমনে।

এনে ৰাতি এপৰ মোৰাত জয়ধ্বজসিংহই ছ-জনা হিলৈদাৰী, আৰু এপোণ কাঁড়ীৰে সৈতে আহি, জোপাৰ মাজত সাৱধানে লুকাই থাকি, মথুৰাপুৰীয়া মীৰজুম্‌লাৰ শিবিৰৰ ওপৰত হিলৈৰ গুটি চলাইছে, আৰু বাণ বৰিষণ কৰিছে। মীৰজুমলা নিৰুপায়। আন্ধাৰত শত্ৰুৱে কৰপৰা লুকাই তেওঁক এইদৰে বিতত কৰিছে তাৰ উৱাদিহ নাই, দুৰ্গৰপৰা ওলাই আহি কণামুনাকৈ এই আক্ৰমণৰ প্ৰতিৰোধ কৰিবলৈ তেওঁ অক্ষম। মীৰজুম্‌লা ভাবি অস্থিৰ। এনেতে তুৰ্‌বক খাঁ সেনাপতিয়ে তেওঁক চেলাম দি সমুখ হৈ কলে—"নবাব চাহাব! গোলামৰ অসহ্য হৈছে। গোলামক হুকুম দিয়ক, দুৰ্গৰপৰা ওলাই গৈ কাপুৰুষ-হঁতক এসেকা দিওঁ।" মীৰজুম্‌লাই মৌনং-সম্মতি-লক্ষণং প্ৰকাশ কৰিলে। তুৰ্বকে পাঁচটা চিপাহী লগত লৈ কোঠৰপৰা ওলাই আহি আন্ধাৰে আন্ধাৰে খুপি খুপি জয়ধ্বজ সিংহৰ ৰণুৱাসকলৰ ফালে খোজ ললে। অসমীয়া ৰণুৱাসকলে তাৰ গম পালে; আৰু তিলকতে অন্তৰ্দ্ধান হ'ল। সিহঁত লৰি পলোৱা শব্দ তুৰ্‌বকৰ কাণত পৰিল; কিন্তু কেনি কলৈ গ'ল, তুৰ্‌বকে ঠিক কৰিব নোৱাৰিলে। কিংকৰ্ত্তব্য-বিমূঢ় হৈ পঞ্চবীৰেৰে সৈতে তুৰ্‌বক থিয় হৈ ৰৈ আছে, এনেতে সোঁহাতৰ ফালৰপৰা সোঁ সোঁ শব্দ কৰি এডাল কাঁড় আহি তেওঁৰ বাহুত পৰিল। কাঁড়-ডাল বাহুতে লাগি ৰ'ল। তুৰ্ব্বকে উসুউস্ কৰিবলৈ ধৰিলে। তেওঁৰ লগৰীয়া চিপাহী এটাই সেনাপতিৰ বিপদ দেখি জাপ মাৰি ওচৰ পাই, আজোৰ মাৰি কাঁড়ডাল তেওঁৰ বাহুৰ পৰা উঘালি পেলালে। সেনা-পতিৰ বাহুৰ পৰা বোম্বানলে তেজ বৰলৈ ধৰিলে। তুৰ্ব্বক মূৰ্চ্ছিত হৈ মাটিত পৰিল। কাঁড়ৰ মুখত বিহ দিয়া আছিল; গতিকে তুৰ্ব্বকে বিষত জৰ্জ্জ-ৰিত হৈ অনন্ত কাললৈ চকু মুদিলে। সেনাপতিৰ অৱস্থা দেখি উন্মত্ত বাঘৰ নিচিনাকৈ পাঁচ ৰণুৱাই কাঁড় অহা ফালে বিদ্যুৎ সঞ্চাৰে চোঁচা ললে। নিমিষতে সিহঁত অসমীয়া ৰণুৱা জনদিয়েকৰ আগত ঘপহ কৰে পৰিল। অসমীয়া ঝুঁজাৰু কেইজনে আকস্মিক বিপদ দেখি কিংকৰ্ত্তব্যবিমূঢ় হল। তেওঁ-লোকে কি কৰিব, কি নকৰিব থিৰ কৰাৰ আগেয়েই, মুছলমান সৈনিক এজনৰ তৰোৱালৰ কোবত তেওঁ-লোকৰ এজনৰ মূৰ উৰি গল। দ্বিতীয় অসমীয়াজনৰ কালেও আন এটা মহম্মদীয় চিপাহীয়ে কোব মাৰিব খোজোতেই, দহ হাতমান দূৰত লুকাই থকা অসমীয়া ডেকা এজনে বায়ুবেগে লৰি আহি দীঘল দাৰে কোব মাৰি সেই চিপাহীৰ মূৰটো তাৰ গলধনৰ ওপৰৰপৰা থহাই মাটিত পেলাই দিলে আৰু এক মুহূৰ্ত্তৰ ভিতৰতে বাকী চিপাহী কেইটাৰো অৱস্থা তেনে কৰিলে।

পাঠক, এক মুহূৰ্ত্তৰ ভিতৰতে পট পৰিবৰ্ত্তন কৰি দিয়া এই ডেকা বীৰপুৰুষজন কোন জানা নে? তেওঁ চোলাধৰা ফুকনৰ কন্যা সেই কনকলতাৰ প্ৰিয়পাত্ৰ গগনচন্দ্ৰ। আৰু যাৰ মূৰ মুছলমান

সৈনিকৰ তৰোৱালৰ কোবত ধৰাশায়ী হ'ল, তেওঁ কোন জানা নে ?—তেওঁ ডম্বৰুৰ প্ৰিয়, কনকৰ অপ্ৰিয় কেশৰচন্দ্ৰ। আৰু সেই দ্বিতীয় অসমীয়া যোদ্ধাজন, যাক মুছলমান চিপাহীয়ে অস্ত্ৰাঘাত কৰিব খোজোঁতেই মুছলমান চিপাহীৰ মুৰ গগনৰ দাৰ কোবত উৰি গল কোন শুনিবা নে ?—তেখেত মহাৰাজ জয়ধ্বজসিংহ। জয়ধ্বজৰ ভৰি দুটি বৰ পাতল, বৰ চলে; গতিকে এই দুৰ্ঘটনাত তেওঁ আত্মবিস্মৃত নহৈ উলটি লৰ দিলে। লৰ, লৰ, লৰ, আৰু লৰ।

এইখিনিতে কোৱা আৱশ্যক যে জয়ধ্বজ সিংহৰ পিছে পিছে আলেঙে-আলেঙে গগনচন্দ্ৰইও হাতত ধনু কাঁড় তৰোৱাল লৈ যুদ্ধ চাবৰ মনেৰে আহিল। বুকুৰ বিত গগন সেই দৰে অহা দেখি, চোৰাং কৰি তেওঁক চাই থাকি নজৰৰ ওপৰত ৰাখিবলৈ বুলি কনকেই তৰবৰীক পিছে পিছে পঠিয়াই দিছিল। তৰবৰী হিচাপী। তাই তাৰ লগতে আৰু এটা কাম কৰাই ভাল ভাবি, ভাত খাবলৈ পুঠিমাছ গোটা-চেৰেক ধৰিবৰ মনেৰে জকাইখনো কান্ধত তুলি আনিছিল।

জয়ধ্বজ উধাতু খাই লৰ দি এখন হোলাত পৰিল গৈ। দৈৱক্ৰমে তৰবৰীয়ে সেই হোলাতে জকাই বাই আছিল। ধুপ্ কৰে পানীত কিবা পৰা শুনি তৰবৰীয়ে এন্ধাৰে-মুধাৰে, কিবা ডাঙৰ মাছ ওলাইছে বুলি জকাইৰে তাতে ছাব মাৰি দিলে ;—মাছ নুঠিল, উঠিল জয়ধ্বজ।

ঈশ্বৰৰ অনুগ্ৰহত সেইদিনা জয়ধ্বজসিংহ দুটা সঙ্কটৰপৰা সাৰিল। মুছলমান চিপাহীৰপৰা গগন-চন্দ্ৰৰ যহত; পানীত বুৰি মৰাৰপৰা তৰ্বৰীৰ যহত।

তৃতীয় দৰ্শন

নাৱৰূপলৈ উভতি গৈ জয়ধ্বজসিংহই তেওঁৰ প্ৰাণৰক্ষা কৰোঁতা দুজনাক বিচাৰি উলিয়ালে। তেতিয়াই তেওঁ গগনক ছকুৰি পাইক, তিনি কুৰি কাঁড়ী, একুৰি হিলৈদাৰীৰ ওপৰত বৰুৱা পাতিলে; আৰু মুছলমানক খেদাই তেওঁ আকৌ গৰগাঁও লব পাৰিলে, গগনক ৰৰবৰুৱা পাতিবলৈ গাত ললে। তৰবৰীক জয়ধ্বজে নিজৰ লিগিৰী পাতি কৃতজ্ঞতা পাশেৰে বান্ধ খালে।

চতুৰ্থ দৰ্শন

মীৰজুমলাৰে জয়ধ্বজৰ সন্ধি স্থাপিত হল। দিল্লীৰ বাদস্যাহলৈ অসমীয়া ৰাজকন্যা, দাস, দাসী, হয়, হস্তী, ধন, সোণ উপঢৌকন গ'ল। সসৈন্যে মীৰজুমলাই গৰগাঁও এৰি গুচি গ'ল; আৰু বাওঁতে বাটতে বেজাৰত মৰি থাকিল।

পঞ্চম দৰ্শন

গৰগাঁৱত কনকলতাৰে সৈতে গগনচন্দ্ৰ ৰৰ-বৰুৱাৰ বিয়া সাদিনীয়াকৈ সম্পাদিত হল,—সম্পাদক সৌমাৰেশ্বৰ শ্ৰীশ্ৰীজয়ধ্বজসিংহ মহাৰাজ। সহকাৰী সম্পাদক শ্ৰীডম্বৰুধৰ চোলাধৰা ফুকন। সহকাৰী সম্পাদিকা ডাঙৰীয়ানী চোলাধৰা ফুকননী। প্ৰকাশক, একৈশ জোৰা কালুগঞা চুলীয়াৰে শ্ৰীমান গম্ভীৰচন্দ্ৰ চুলীয়া ওৰফে "গেৰেলা চুলীয়া।" কোষাধ্যক্ষ,—শ্ৰীযুত নিদিওঁৰাম ৰৰভণ্ডাৰ বৰুৱা। বুৰঞ্জী বা উপন্যাস লেখক এই মই।

বিয়াৰ অন্তত মধুৰেণ সমাপয়েৎ কৰি জলপান খাই গুচি অহা হ'ল।—অৱশ্যে পূৰ্ব্বজন্মত; আৰু কিজানি আশীৰ্ব্বাদ দিও আহিছিলোঁ "দৰা কন্যাৰ হৰগৌৰী বসতি হওক" বুলি।

কনকলতা আৰু গগনৰ দাম্পত্য জীৱন নিশ্চয় সুখৰ হৈছিল বুলি অনুমান কৰিছোঁ, কাৰণ ইহ-জীৱনতো সিদিনা আমি লক্ষীমপুৰৰ কাছাৰীত চোলা-ধৰা ফুকনৰ ঘৰৰ বীৰুচন্দ্ৰক কেৰাণীৰ মাচিয়াত বহি কলমত ধৰা দেখি আহিছোঁ; ডম্বৰু নিৰ্ব্বংশ হোৱাহেঁতেন এইটো হোৱা অসম্ভৱ।

নাঙলুচন্দ্ৰ দাস

নাঙলুচন্দ্ৰৰ চিনাকিৰ নিমিত্তে দৰ্কাৰী তিনিটা কথা,—বাপেকৰ নাম; মাকৰ নাম; আৰু ঘৰ; এতেকে সেইবোৰ তলত দিয়া গল :—বাপেকৰ নাম লয়না; মাকৰ নাম দেওবৰী; আৰু ঘৰ উত্তৰলক্ষীমপুৰত। এই ত্ৰিবেণীৰ সঙ্গমত নাঙলু-চন্দ্ৰৰ উদ্ভৱ। লয়না বংশৰ আগৰ ইতিবৃত্তৰ তত্ত্ব লয়না পৰিৱাৰৰ গুহা-গহ্বৰত নিহিত আছিল দেখি আগেয়ে আমাৰ জানিবৰ উপায় নাছিল; সম্প্ৰতি নাঙলচন্দ্ৰ বৰুৱাই (আগৰ নাঙলু দাসে) সেই গুপ্ত ইতিবৃত্তৰ তত্ত্ব প্ৰকাশ কৰি দি কৈছে, মুঠতে তাৰ সাৰাংশ তলত দিলো :—তেওঁলোকৰ আদি পুৰুষ-জনৰ নাম আৰ্য্যকুমাৰ। তেওঁ জাতিত বৰ-কায়স্থ আছিল। খৃষ্টীয় একাদশ শতাব্দীত তেওঁক কান্য-কুব্জৰ নৰপতি অবিমৰ্দ্দনে ৰাজদূত কৰি অসমৰ ৰজাৰ ওচৰলৈ কোনো ৰাজকাৰ্য্যৰ গুৰুভাৰ দি প্ৰেৰণ কৰে। তেওঁ সেই কাৰ্য্য সুচাৰুৰূপে সম্পাদন কৰি প্ৰত্যাগমন কৰিবৰ আয়োজন কৰোঁতেই অসম

বজাই তেওঁৰ যোগ্যতাৰ প্ৰমাণ আৰু বদনকান্তি পৰি-দৰ্শন কৰি তেওঁক ৰাখি স্বৰাজ্য উজ্বল কৰিবৰ মনেৰে অতি অনুনয় বিনয় কৰি ৰাখি উত্তৰলক্ষীমপুৰ অঞ্চলত দাস-দাসী ভূমি আদি দান কৰি স্থাপন কৰিলে। শাস্ত্ৰত কয়, কমলা সদায় চঞ্চলা। "সমায়াতি যদা লক্ষ্মী নাৰিকেলফলাম্বুবৎ। বিনির্য্যাতি যদা লক্ষ্মী গজভুক্তকপিত্থবৎ ॥" লক্ষ্মী আৰ্য্যকুমাৰৰ ঘৰত তেওঁলোকৰ তিনি পুৰুষলৈকে থাকি শেহত উৰু-উৰু চাটি-ফুটি কৰিবলৈ ধৰিলে। গতিকে তেওঁ এদিন ডফলাৰ উপদ্ৰৱৰ ছেলু লৈ এই প্ৰাচীন পৰিবাৰ পৰিত্যাগ কৰি অন্যত্ৰ গতি কৰিলে। এই পৰিয়ালৰ নামনিৰ দশম পুৰুষ লয়নাত আকৌ লক্ষ্মীয়ে "ঈষদ্ধাস্যপাত" কৰিলে। লয়নাই জীৱনৰ প্ৰথম ভাগত হাতী-মাউতৰ বিষয় ভোগ-দখল কৰি তাৰ পিছত ওচৰৰ খাপলৈ উঠি ফান্দী হয়। ফান্দী হৈ খেদা-চিকাৰত তেওঁ অনেক দন্তী ধৰি তেওঁৰ গৰাকীক দিছিল বুলি কিম্বদন্তি আছে। লয়নাই ৫ পাঁচ টকা চিকাৰূপ বেতনৰ পৰা আৰম্ভ কৰি পোন্ধৰ টকা চুকি পাইছিলগৈ বুলি উজনি অঞ্চলত প্ৰচাৰ।

১৮৯১ চনত কমলেশ্বৰ বৰুৱা মুনুচুপ লক্ষীম-পুৰলৈ বদলি হৈ যায়। তেওঁ যদিও আগৰ গচ্-গতিৰ মানুহ আছিল, তথাপি বৰ্ত্তমান প্ৰথানুসাৰে ইংৰাজী বিদ্যা শিকাৰ পক্ষপাতী আছিল। সেইদেখি তেওঁ লক্ষীমপুৰলৈ গৈয়েই তাত ইংৰাজী স্কুল এটা পাতি দি ৰাইজৰ হিত চিন্তিলে। অনেক কাল হাতী ফন্দিয়াই ফন্দিয়াই ফান্দী লয়নাই আমনি পাই বয়সৰ লগতে লগ লাগি ভাগৰি পৰি ঘৰতে বহি আছিল, এনেতে মুন চুপ ডাঙৰীয়া লক্ষীমপুৰলৈ গলত তেখেতক উপাসা-ভৰসা কৰি কেছাৰীত তেওঁ তেখেতৰ টেকেলাৰ বাবটো ললে; আৰু সেই নতুন স্কুলতে পুতেক নাঙলুক নাম লগাই দি ইংৰাজী শিকিবলৈ লগাই দিলে।

ইয়াৰ পিছত অনেক কথা অনেক বতৰা হয়, বিবোৰ এৰি দি চমু কৰি লৈ আমি আগ বাঢ়ি যাম। কালক্ৰমত লয়নাই স্বৰ্গাৰোহণ কৰিলে আৰু তাৰ পিছত চোকাবুধীয়া নাঙলুৱে ডিব্ৰুগড়ৰ ইস্কুলত এণ্ট্ৰেঞ্চ পঢ়িবলৈ আহিল। ডিব্ৰুগড়ত তেওঁ মীনকান্ত পেস্কাৰৰ ঘৰত থাকি লাচনি-পাচনি কৰি পঢ়িবলৈ ধৰিলে।

মানুহৰ শৰীৰৰ ভিতৰৰ শিৰডালেপতি একো একোটা ক্ষমতাৰ সোঁত অন্তৰ্বাহিনী সৰস্বতী নৈৰ দৰে লুকাই বৈ থাকে, আৰু সেই বিশেষ শিৰডাল কোনো কাৰণত ফুটিলে সেই ক্ষমতাৰ উঁহ ওলাই পৰে। সম্প্ৰতি আমাৰ এই উপাখ্যানৰ ৰাই ডাঙৰীয়া নাঙলুচন্দ্ৰৰো শিৰ এডালত আজি প্ৰথমতে .বঁহনি এটা লাগি ফুটা হৈ তাৰপৰা কিবা শকতি এটাৰ উহঁ ওলাই পৰিল। মীনকান্ত পেস্কাৰৰ শিৰীষ নামে আঠ বছৰীয়া জীয়েক এজনী আছিল, ছোৱালীটি দেখিবলৈ বৰ ধুনীয়া। পেস্কাৰৰ ঘৰ পাই নাঙলুৱে প্ৰথমতে এই ছোৱালীটো দেখিলে। দেখা মাত্ৰকতে বিদ্যুত সঞ্চাৰে তেওঁৰ ধমনিত প্ৰবাহিত কাব্যৰসৰ উঁহ উঠিল, অৰ্থাৎ উজুকৈ কথাটো কলে এনেকুৱা হয়,—ৰূপহী শিৰীষৰ ৰূপে নাঙলুৰ কবিতাৰ শিৰডালত টান টোকৰ এটা মাৰি ফুটাই দিলত তাৰপৰা তেওঁৰ কবিতাৰ ৰস ফি ফি কৰে ওলাবলৈ ধৰিলে। লাভৰ ভিতৰত, নাঙলুৰ দু-অনা পইচা খৰচ হল। অৰ্থাৎ তেতিয়াই নাঙলুৱে শ্ৰীৰামপুৰীয়া কাগজ এক দিস্তা কিনি আনি চতুৰ্দ্দশপদী, দ্বিপদী, ত্ৰিপদী, আপদী, বিপদী, নানাবিধৰ প্ৰেম, প্ৰণয়, বিৰহ, বিচ্ছেদ, মিলন, মিশ্ৰণ আদি কবিতা লেখিবলৈ ধৰিলে। তেওঁৰ সেই জতুৱা কবিতাৰ নমুনাৰ নিমিত্তে পাঠক-সকলৰ ক্ষুধা বাঢ়িব পাৰে, সেইদেখি তলত টুকি দুশাৰী দিলো—

"শিৰীষ সেউতী,
তমাল মালতী লবঙ্গ বাগী গুলাল।
এতিয়াই দেখা দি, প্ৰাণ হৰি নি,
ৰাগি দি কৰৈ পলাল।"

এদিন এটা ক্ষুদ্ৰ ঘটনা ঘটিল, যাৰ বৃহৎ ফল বা কুফলত নাঙলুৰ জীৱনত প্ৰথম আঘাতৰ মিলিল। সেইদিনা দেওবাৰ। দুপৰীয়া খাই-বৈ উঠি নাঙলুৱে শিৰীষক আদৰকৈ মাতি নি তেওঁৰ পচা খোটালীত সুমাই, কবিতাৰ বহীটো মেলি স্বৰচিত কবিতা এটিত তেওঁৰ প্ৰাণৰ সোপাকে আবেগ আৰু উদ্বেগ ঢালি দি পঢ়ি শুনাইছে; এনেতে দৈবাৎ সেইকালেই মীনকান্ত পেস্কাৰ যাওক। নাঙলু কবিৰ কাব্য-ভুমুকৰ ধ্বনি তেওঁৰ কাণত পৰিলত, তেওঁ কি হৈছে চাওঁ বুলি হঠাৎ সেই খোটালীত সোমালগৈ। নিলাজী ফুলৰ পাতত হাত লাগিলে পাতবোৰ জাপ খাই যোৱাদি ততালিকে নাঙলুৰ শৰীৰ পাত জাপ খাই গল, আৰু মুৰে সৈতে মুখ লাজত ওলমি পৰিল। মীনকান্তই নাঙলুৰ হাতৰপৰা বহীটো থাপ মাৰি কাঢ়ি আনি তাত চকু ফুৰাই চালে। তেওঁ দেখি অবাক হল যে গি প্ৰেম-কবিতাৰে ভৰা, আৰু কবিতাৰ শাৰীয়ে শাৰীয়ে তেওঁৰ একথিমান জীয়েক শিৰীষৰ নাম।

ঘটনাটোৱে এনেকৈ বেৰপাক লোৱা দেখি শিৰীষে খিল্ খিল্ কৰে হাঁহি মাত লগালে "এতিয়া কেনে। নাঙলু ককাইদেও, এতিয়া কেনে। মই নকৈছিলো, দেউতাক কৈ দিম বুলি?" এই বুলি জাপ মাৰি শিৰীষে দেউতাকৰ ডিঙিত সাবট মাৰি ধৰিলে আৰু কলে "দেউতা, নাঙলু ককাইদেৱে

সদায় মোক মাতি আনি, বহীটো মেলি এইবিলাক কিবা পদ পঢ়ি শুনায়। আৰু মোৰ নাম কাঢ়ি কোছ্ কোছ্ কৰি দীঘলকৈ উশাহ টানে, আৰু চকুৰ পানী টোকে। মই তোমাক কৈ দিম বুলি ভাবি থাকোঁতেই আজি তুমি দেখিলাই।"

তেতিয়াই মীনকান্তই নাঙলুৰ কবিতাৰ বহীটো ক্ৰোক কৰি অগ্নিদেৱতাক অৰ্পণ কৰি তাৰ পাঞ্চভৌতিক দেহৰ কাঠসংস্কাৰ কৰিলে; আৰু নাঙলুক তেওঁৰ ঘৰৰপৰা বহিষ্কৃত কৰি দি ঘৰৰ পানীপাচত লগা কবিতাৰ অগনি এই ব্যৱস্থাৰ পানীৰে নুমাই পেলাই নিশ্চিন্ত হল।

মীনকান্ত পেস্কাৰৰ ঘৰৰপৰা খেদা খাই নাঙলুৱে মনটোত এমনকৈ বেজাৰ ভৰাই লৈ গৈ ডিব্ৰুগড়ৰ আন এজন চিনাকি মানুহৰ ঘৰত আশ্ৰয় ললে। শিৰীষৰ অদৰ্শন-অগনিয়ে যদিও তেওঁৰ হৃদয় দহি অঙ্গৰা-খৰি যেন কৰিছিল, তথাপি বুদ্ধিমান দৃঢ়প্ৰতিজ্ঞ নাঙলুৱে অলপ দিনৰ পিছতে ঠন ধৰি ভালকৈ মন পুতি পঢ়ি দি এণ্ট্ৰেঞ্চৰ মহলাত উঠিল। তেতিয়া এণ্ট্ৰেঞ্চত উঠিলেই কুৰি টকা জলপানী পোৱাৰ ব্যৱস্থা আছিল। নাঙলুৱেও সেই জলপানীৰ আলমত কলিকতাত এফ, এ, পঢ়িবলৈ গল।

কবিতা কেৱাবনৰ নিচিনা; তাৰ জইন মৰা টান। চোতালৰ কেৱাবন যিমানকে তুমি চুৰুকি পেলোৱা, দুদিনৰ মূৰত আকৌ তাত তাৰ গজালি দেখিবলৈ পাবা। কলিকতাত অসমীয়া ছাত্ৰৰ "মেচ"ত থাকি নাঙলুৱে এফ, এ, পঢ়োতে পঢ়োতে আকৌ লাহে লাহে তেওঁৰ কবিতাই গজালি মেলিলে। আকৌ তেওঁ বাইৰণ, শ্যেলিৰ আহিৰে ক্ষুদ্ৰ ক্ষুদ্ৰ খণ্ড কবিতা ৰচনা কৰিবলৈ ধৰিলে। তেওঁৰ বহী কবিতাৰে পূৰ হল।

পূৰ্বৰ "শিৰীষ"ৰ ঠাইত তেওঁৰ কবিতাৰ "হিৰইণ" (Heroine) এইবাৰ "কামিনী" হল। এই কামিনীৰ চাৰিউফালে তেওঁৰ কবিতাবোৰে গ্ৰহ উপগ্ৰহ স্বৰূপে মণ্ডলাকাৰে পৰিভ্ৰমণ কৰিবলৈ ধৰিলে। কামিনী কোনো বিশেষ শৰীৰী ৰমণী নহয়। মাথোন নাঙলুৰ কল্পনাৰ পদুমৰ চকাত কামিনীৰ জন্ম। এদিন কাব্য বসত নিমগন হৈ থাকোতে নাঙলুৰ মনত হঠাৎ এই নামটো ওলাল, আৰু তৎক্ষণাৎ কবিয়ে তাক আদৰি হৃদয় মন্দিৰত থাপনা কৰিলে। সেই দিনাৰেপৰা তাত কল্পনাৰ অলঙ্কাৰ আভৰণ পিন্ধাই প্ৰাণপ্ৰতিষ্ঠা কৰি তেওঁ তাক পূজা কৰিবলৈ ধৰিলে।

নাঙলুৱে গম হে পোৱা নাছিল, কিন্তু দুৰ্দশা-শনিগ্ৰহ নাঙলুৰ পাছে পাছে কলিকতালৈকে আহিছিল। কবিতাৰ বহিখন নাঙলুৰ কিপিণৰ ধন। তেওঁ অতি সাৱধানে লুকাই থোৱা কবিতাৰ বহীটো এদিন দৈবদুৰ্বিপাকত কেনেবাকৈ তেওঁৰ "মেচ"ৰে সঙ্গী লগৰীয়া লৰা এজনৰ হাতত পৰিল আৰু তৎক্ষণাৎ সি মেচৰ আন লৰাৰ হাতে পতি বগাই ফুৰিবলৈ ধৰিলে। নাঙলুৰ বৰ দুৰ্কপাল, যে মেচৰ ঝী অৰ্থাৎ চাকৰণীজনীৰ নাম কামিনী আছিল। ঝীজনীৰ সেই নামটো মেচত যদিও সিমান জনাজাত নাছিল, তথাপি মেচৰ মেনেজাৰকে প্ৰমুখ্য কৰি জনচেৰেকে তাক যে নাজানিছিল এনে নহয়। এতিয়া তেওঁলোকৰপৰা সেই কথা প্ৰচাৰিত হলত, মেচত জানিবা জুইহে লাগিল। সকলোৱে ভাবিলে যে নাঙলুৱে ঝী কামিনীক উদ্দেশ্য কৰি এই কবিতাবোৰ লেখিছে। নাঙলু বৰ বেয়া স্বভাৱৰ ল'ৰা; সি মেচৰ কলঙ্ক আনিলে। সকলোৱে এই সিদ্ধান্তত উপস্থিত হ'ল গৈ।

কামিনী ঝীৰ বয়স ৪০ বছৰৰ কম কোনো-মতেই নহয়। তাইৰ বৰণ ক'লা, দাঁত উজলা, মুখ গুটীসাঁচেৰে ভৰা। তেনে জনী "মহিলা" কাব্যৰস-বিনোদিত সুৰুচিপূৰ্ণ শিক্ষিতা নাঙলুৰ কবিতাৰ অধিষ্ঠাত্ৰীদেৱী হোৱাটো সপোনতো ভাবিবলৈ কেনেবা যেন লাগে। কিন্তু হলে কি হ'ব? "জল্ জল্ পট্ পট্ দৈৱকীৰ গভুৱা ল'ৰা" কবিতাৰ বহী আগতে পৰি আছে।

এই কথা লৈ "মেচৰ" ছাত্ৰসকলৰ ভিতৰত ইমান আন্দোলন হবলৈ ধৰিলে, যে অচিৰতে কামিনী ঝীৰ কাণত সেই কথা উঠিল গৈ। তাই লাজ অপমানত চকুৰ লোৰে সাৰীৰ আচল তিয়াই কান্দি তেতিয়াই মেচৰ "মেনেজাৰক" কলে—"হেগা বাবু, আমি গেৰস্ত ঘৰেৰ মেয়ে। আম্‌ৰা ভদ্ৰলোক। বলি আমাৰ নামে তোমাদেৰ সেই লাঙ্গল বাবুটি কেন এমন সব কথা ৰটায়? আমাৰ মাহিনা-পত্ৰ এখনই সব চুকিয়ে দাও আমি থাকবো না।" এই কথাৰ লগে লগে কামিনী ঝীয়ে নাঙলুক "যমেৰ বাড়ী যা।" "তোৰ মৰণ দশা।" ইত্যাদি শাও আদখিনি কুটাই আদখিনি মুখৰ ভিতৰতে ৰাখি পাৰিবলৈ পাহৰা নাছিল।

ইয়াৰ পিছত নাঙলুক অসমীয়া ছাত্ৰৰ মেচৰপৰা "নটিচ" দি উলিয়াই দিয়া হল। তেওঁ যে নিৰ্দোষ সেই কথা নাঙলুৱে বাৰে বাৰে কোৱাতো কোনেও বিশ্বাস নকৰিলে। মূঠতে ঘটনাটোৰ প্ৰকৃত বিচাৰ নহ'ল। বেচেৰা নাঙলু অবিচাৰত পৰি লাজ অপমানত জৰ্জৰিত হৈ দেশী ভাই অসমীয়াৰ "মেচ" এৰি গুচি গ'ল।

নাঙলুৱে কলেজ ষ্ট্ৰীটৰ এটা বঙালী ছাত্ৰৰ “মেচত” আশ্ৰয় ললে গৈ। কিন্তু জৰে এৰিলেও কৰ্পালটিয়ে নেৰাৰ দৰে শনিগ্ৰহে তেতিয়াও তেওঁক এৰা নাছিল। দুৰ্ভাগ্যবশত সেই মেচৰে বঙালী ছাত্ৰ এজনেৰে সৈতে অসমীয়া মেচৰ অসমীয়া ছাত্ৰ এজনৰ চিনাকী থকাত, এদিন তেওঁলোকৰ মাজত কথাতে নাঙলুৰ বিষয় ওলোৱাত, অসমীয়া-জনৰ পৰা বঙালীজনে সকলো কথাৰ সম্ভেদ পালে। ফলত, নাঙলুৰ কথা নাঙলুৱে আশ্ৰয় লোৱা বঙালী মেচতো ৰাষ্ট্ৰ হ'ল। মেচৰ মেনেজাৰে ভদ্ৰভাৱে নাঙলুক কলে যে, তেওঁ নাঙলুক মেচত ৰাখিবলৈ হলে নাঙলুৱে ভৱিষ্যতলৈ Well behave অৰ্থাৎ ভাল ব্যৱহাৰ কৰি চলিব বুলি এখন guarantee অৰ্থাৎ “গিৰমিট”ৰ নিচিনা চিঠি লেখি দিব লাগিব ; নতুবা তেওঁ তেওঁক ৰাখিলে তেওঁ-লোকৰ মেচৰ বদনাম হব। নাঙলুৱে নিৰুপায় হৈ তেনে ‘গৰাণ্টি’ এখনকে লেখি দি, তাতে থাকি পঢ়াশুনা কৰিবলৈ ধৰিলে।

নাঙলুৰ দুৰ্দ্দশাৰ অন্ত তেতিয়াও পৰিছে বুলি ভাবিছা হবলা ? উঁহো, নাই পৰা ; শনিগ্ৰহৰ কোপ সাপৰ নেগুৰত বিষ ৰাকী থকাৰ দৰে তেতিয়াও তেওঁৰ গাত অৱশিষ্ট আছিল। নাঙলু অসমীয়া ছাত্ৰৰ মেচ এৰি গলত, কামিনী ঝীৰ ভাৱৰ সোঁত উভতি বৰলৈ ধৰিলে। অসমীয়া ছাত্ৰবিলাকে কলিকতাত এনে ভাবে খায়, পিন্ধে, থাকে আৰু চলে, যে কলিকতাৰ সাধাৰণ মানুহে আৰু বিশেষকৈ অসমীয়া মেচৰ চাকৰ-চাকৰণীবিলাকে ভাবে যে একো-একোজন অসমীয়া ছাত্ৰ একো-একোজন ভইৰ জমিদাৰৰ পুত্ৰ। কামিনীয়ে ভাবিলে যে মই মূৰ্খামি কৰি হঠাৎ কি ভুল কামটোকে কৰিলো। মোৰ জীৱনত এটা ডাঙৰ Chanc. অৰ্থাৎ সৌভাগ্যৰ সুযোগ ওলাইছিল ; হাঁয়! সেই সুযোগ মই বলিয়ালি কৰি হেৰুৱালো। মোৰ হাতত আহি পৰা লক্ষ্মীক মই ভৰিৰে ঠেলি পেলালো। এই অসমীয়া বাবুবিলাক এটাইবোৰেই পইচা-কড়ি থকা ডাঙৰ মানুহৰ “বেটা”, “খোদ” একো-একোজন জমিদাৰ। মোৰ সুকপালৰ গুণে “নাঙল বাবুৰ” সুদৃষ্টি মোৰ ওপৰত পৰিছিল। মোৰ যাৱজ্জীৱনলৈ দুখৰ ওৰ পৰিলেহেঁতেন। মই মনে মনে থাকিলেই হৈছিল। অদৃষ্ট মন্দ হলে মানুহৰ এনেকুৱাই হয়। ইত্যাদি প্ৰকাৰে কামিনী ঝীয়ে ভালেমান ভাবি-চিন্তি এদিন বিচাৰি বিচাৰি নাঙলু থকা সেই বঙালী মেচটো উলিয়ালেগৈ। নাঙলুৰ কলেজলৈ যোৱা বন্ধ হৈছিল, কাৰণ বি, এ, পৰীক্ষা ওচৰাউচৰি। অধ্যাপকে কলেজ ক্লাচ ভাঙি দি পৰীক্ষা দিওঁতাসকলক ঘৰতে ভালকৈ পঢ়িবলৈ সুবিধা দিছিল। আমাৰ নাঙলু সেইদেখি পঢ়াত বৰ ব্যস্ত আছিল।

সেইদিনা অনুসন্ধান কৰি কামিনীয়ে নাঙলু থকা মেচটো আৰু সেই মেচৰ ঘৰৰ খোটালিটো উলিয়ায়েই গুচি আহিল। পিছ দিনা দুপৰীয়া কামিনীয়ে মেচৰ কাম বন কৰি অঁতাই ভাত খাই উঠি, হাতত চাৰিখন “পাণ” অৰ্থাৎ তামোল, আৰু বজাৰৰ পৰা চাৰি পইচাৰ “জল-খাবাৰ” অৰ্থাৎ এপইচাৰ “কচুৰি” এপইচাৰ “নিম্‌কি” এপইচাৰ “পানতোৱা” আৰু এপইচাৰ “ৰসগোল্লা” কিনি, শালপাতৰ “খোঙা” অৰ্থাৎ খুৰি এটাত লৈ একেবাৰেই গৈ নাঙলুৰ খোটালিৰ দুৱাৰ-মুখত থিয় দিলে। সেই সময়ত নাঙলু “চেলিৰ চাইকোলজি” পঢ়াত নিমগন আছিল। হঠাৎ দুৱাৰমুখলৈ কোনোৱা অহা তেওঁ গম পাই মূৰ দাঙি চাই দেখিলে যে, তেওঁৰ আগৰ অসমীয়া মেচৰ সেই কামিনী ঝী। দুপৰ ৰাতি তোমাৰ আগত হঠাৎ এটা ভূত ওলালে তুমি যিমান ভয় খালাহেঁতেন, নাঙলুৱে কামিনীক দেখি তাতকৈও সৰহকৈ ভয় খালে। তেওঁৰ জিবা খৰ্খৰীয়া হ'ল, ডিঙি শুকাই গ'ল, আৰু মাত হৰিল। তেওঁ ডাঙৰকৈ চিঞৰ মাৰি দি মানুহ মাতিবলৈ বুলি এবাৰ চেষ্টা কৰিলে, কিন্তু তেওঁৰ ৰাক্‌যন্ত্ৰ বাজিবলৈ ৰাজী নহল। কি কৰিব, কি নকৰিব তেওঁ একোকে থিৰ কৰিব নোৱাৰি, কিতাপটো এৰি খপ্ কৰে উঠিল। তেওঁক উঠা দেখি কামিনীয়ে শাৰীৰ আঁচলৰ ওৰণীৰে মুখখন আদখিনি ঢাকি, হাতত থকা জলপান আৰু পাণৰ ভেটা এহাতে নাঙলৰ ফালে আগবঢ়াই দি, আন হাতে আঁচলৰ আগটোৰে ধৰি তাৰে চকুৰ পানী টুকিবলৈ ধৰি, খন্তেকৰ মূৰতে আধা-ভগা মাতেৰে কবলৈ ধৰিলে :—“বাবু, আমাৰ ঘাট হয়েছে, আমায় মাফ কৰো। আমি বড় আহম্মকি কৰেছি বাবু, তুমি নিৰ্দ্দয় হয়ে চলে আসবাৰ দিন থেকে, তোমাৰ কথা ভেবে আমি এক দিনও ঘুমোতে পাৰিনি। কাল কত কষ্টে তোমাৰ এই বাড়ীৰ”— তাইৰ কথাই গৈ এইখিনি পাওঁতেই নাঙলুৱে লৰ মাৰি “গোচল-খানাত” অৰ্থাৎ গা-ধোৱা ঘৰৰ ভিতৰত সোমাই দুৱাৰ-দাং মাৰি পেলালে। কামিনী অলপ পৰ সেই অৱস্থাতে তাত থিয় দি থাকি, কিংকৰ্ত্তব্যবিমূঢ় হৈ লাহে লাহে তাৰপৰা নামি ওলাই গুচি আহিল। তাই চিৰিৰে নামি যাওঁতে কুঞ্জলাল নামেৰে বঙালী ছাত্ৰ এজনে তাইক দেখি, তাই কোন বুলি শুধিলত, কামিনীয়ে “আমি ওদেৰ বাড়ীৰ ঝী, তোমাদেৰ মেচেৰ ঝীৰ সঙ্গে দেখা কৰতে এসেছিলুম” বুলি হচক্‌চ কৰে নামি গুচি গ'ল। বঙালী ছাত্ৰজনৰ কিন্তু তাইৰ কথাত মনৰ খুকুৰি নুগুচিল, কাৰণ তাই সেই নাঙলু থকা খোটালিটোৰ ফালৰপৰা অহা যেন তেওঁ দেখিছিল।

সেইদিনা নাঙলুৰ মনৰ অৱস্থা কেনে হৈছিল আমি বৰ্ণনা নকৰোঁ। মুঠতে কওঁ, কামিনীৰে সৈতে

তেওঁৰ সাক্ষাৎ হোৱা সেই অশান্তিকৰ ঘটনাৰ পিছত তেওঁ সেইদিনা অলপো পঢ়াশুনা কৰিব নোৱাৰিলে।

কামিনীয়ে বেজাইৰ বোজা বান্ধি লৈ মেচৰ বন-বাৰি কৰি অঁতাই অনেক ভাবি অনেক চিন্তি শেহত "জান, আমি হাতেৰ লক্ষী পায়ে ঠেলে ফেলেছি, এখন দুঃখ কৰলে কি হবে?" নিজকে এই দৰে ডাঙৰকৈ মাতি সম্বোধন কৰি প্ৰবোধ দি শুই থাকিল। মেচৰ ঝীবোৰে মেচত কাম কৰি আহি ৰাতি নিজৰ ঘৰত শুই থাকে। সেইদিনা ৰাতি কামিনীয়ে শুই থাকোঁতে সমাজিকতে এবাৰ এফাকি গান গাই পেলাইছিল। তাই কেতিয়াবা শুনি থোৱা গান এটাৰ এই দুফাকি গুৰি —"এত এত এত দিন কেটে গেল। এখন দুঃখেৰ নিশা প্ৰভাত হইল।" কামিনীৰ লগতে তাইৰ বুঢ়ী-মাক শুইছিল। বুঢ়ীৰ ভালকৈ টোপনি অহা নাছিল দেখি, বুঢ়ীয়ে খপ-জপ কৈ উঠি পানীতে বহি শুধিলে, "অ কামিনী, ঘুমেৰ ঘোৰে কি গাচিচ্‌স্? স্বপ্ন দেখ্‌ছিছ্‌ নাকি?" কামিনীয়ে উত্তৰ নিদি নাক ডকাই শুই থাকিল।

ইয়াৰ দিনচেৰেকৰ পিছত এটা লেফাফাৰ ওপৰত এইদৰে বিজুগ লেখা চিঠি এখন আনি ডাক-হৰ্-কৰাই মেচৰ চিঠিৰ বাকচত থৈ গ'ল। "পূজনীয় শ্ৰীযুক্ত লাঙ্গলচন্দ্ৰ বাবুৰ শ্ৰীচৰণ কমলেষু —নং কলেজ ইষ্ট্ৰীট মেছ। মুনীয়া কালেজৰ পুৰ্ব্ব।" সেইদিনা সেই চিঠিৰ বাকচটো মেলি চিঠি উলিয়াইছিল কুণ্ডলালে। তেওঁ অদ্ভুত আখৰ আৰু বৰ্ণ-বিন্যাসেৰে লেখা সেই চিঠিখন দেখি লোভ সামৰিব নোৱাৰি নিজৰ কৌতুহল চৰিতাৰ্থ কৰিবৰ মনেৰে চিঠিখন নাঙলুক নিদি লুকাই থৈ নিজৰ খোটালিলৈ লৈ গৈ মনেমনে মেলি পঢ়িবলৈ ধৰিলে। তাত লেখা আছিল—

"বাবু। শ্ৰীচৰণেৰ দাসিৰ দোস খমা কৰো। তুমি বৰ লোক। জমিদাৰ মানুষ। অধিনিকে দয়া কৰো। যা হবাৰ হইয়া গেছে; আৰ দাসিকে শ্ৰীচৰণে ষ্টান দাও। তুমি আমাৰ প্ৰতি বিমুখ হইলে, আমি বাঁচবো না। শেষে গলায় দড়ী দিয়া মৰিব; আৰ তা নাহোলে আফিং খাইয়া পেৰাণ তাইজ কৰিবো, আৰ তোমাৰ গায়ে নাৰিবোধ পাপ লাগবে।

অধিণি

শ্ৰীমোতি কামিনীমোণি দাসি।"

কুণ্ডই চিঠিখন পাই বুজিলে যে নাঙলুৰে তেওঁলোকৰ মেচলৈ আহিও সেই আগৰ মেচৰ ঝী কামিনীৰ আকৰ্ষণৰ হাত সাৰিব পৰা নাই; আৰু এতিয়াও দুইৰো মাজত চিঠি চলাচল হব লাগিছে। সেই কিছু দিনৰ আগেয়ে টিবিড নামি ৰাওঁতে তেওঁ দেখা পোৱা ঝীজনীৰ কথা এতিয়া তেওঁৰ মনত পৰিল। তেওঁ বুজিলে যে সেই জনীয়েই সম্ভৱতঃ কামিনী ঝী। কিন্তু কুণ্ডলালে এই চিঠিৰ কথা কাকো নকৈ মনে মনে থাকিল; কাৰণ পৰীক্ষা ওচৰাউচৰি, প্ৰায় সকলো ছাত্ৰেই পঢ়াত ব্যস্ত; বাজে কথা এটাৰ আন্দোলন এতিয়া তেওঁলোকৰ মাজত প্ৰীতিকৰ হলেও, সি পঢ়া-শুনাৰ হানিকাৰক হব।

ইয়াৰ দহ দিন মানৰ পিছত সেই মেচৰে জন-চেৰেক বঙালী ছাত্ৰ বন্ধুৰে সৈতে, নাঙলুৰে অতি-ৰিক্ত পঢ়াৰ পৰিশ্ৰম পাতলাবৰ মনেৰে "ইম্পিৰিয়েল বেঙ্গল থিয়েটৰত" বিখ্যাত অশ্ৰুমতীৰ অভিনয় চাবলৈ গৈছিল।

অশ্ৰুমতীৰ ভাও দেখি নাঙলুৰ শুকান কবিতা-কদম গছৰ ডালত কুহিপাত মেলিলে আৰু তাৰ তলত আনন্দ-ম'ৰাই চালি ধৰি নাচিবলৈ ধৰিলে। নাঙলুৰে মেচৰ বহালৈ ৰাতি ১ বজাত উভতি আহি অশ্ৰুমতীক উদ্দেশ্য কৰি এটা "চনেট" অৰ্থাৎ চৈধ্য ফকীয়া কবিতা লেখিলে। কবিতাটো লেখি শেষ কৰা সময়ত নাঙলুৰ চকু টোপনিত মুদ খাই গৈছিল, সেইদেখি তেওঁ তাক নাসামৰি মেজতে পেলাই থৈ শুই থাকিল। আগ ৰাতি টোপনি খতি হোৱা বাবে পুৱা নাঙলু উঠাত পলম হল। মেচৰ এজন ছাত্ৰে নাঙলুক জগাবলৈ আহি সেই অসমীয়া কবিতাটো তেওঁৰ মেজৰ ওপৰত পাই একো বুজিব নোৱাৰি, বাহিৰলৈ আনি আন দুজন এজনৰে সৈতে অসমীয়া কথা বঙলা সুৰ আৰু উচ্চাৰণেৰে পঢ়ি থাকোঁতেই মেচৰ মেনেজৰ সেই পিনেদি যাওক। সেইটো কি বুলি তেওঁ বৈ, সেইটো নাঙলুচন্দ্ৰৰ দ্বাৰাই ৰচিত কবিতা বুলি জানিব পাৰি, আগৰ কথা সুৰঁৰি নাঙলুক জগাই মাতি আনি কলে—"নাঙলু বাবু আপনি আমাকে কবিতা লিখিবেন না বলিয়া গৰাণ্টি দিয়াছিলেন। আবাৰ দেখছি, কবিতা লিখিতে সুৰু কৰিয়াছেন; আৰ প্ৰেম কবিতা। দেখছি আপনি আমাদেৰ মেচেতেও একটা কুকাণ্ড কৰিয়া ছাড়িবেন।"

এনে সময়তে কুণ্ডলাল আহি তাত ওলালহি। কি কৈছে, কিহৰ বিচাৰ চলিছে, তেওঁ তাৰ উৱাদিহ লৈ, তেতিয়াই লৰি গৈ নিজৰ খোটালিৰপৰা সেই কামিনী ঝীৰ চিঠিখন লৈ আহি মেনেজৰৰ হাতত দিলে। মেনেজৰে চিঠিখন পঢ়ি অবাক। মেনে-জৰে "নাঙলু বাবু, এইখানা কি?" বুলি নাঙলুৰ হাতত চিঠিখন দিলত নাঙলুৰে পঢ়িলে, আৰু মুখৰ বৰণ হেকম্‌ভালে। মুঠতে তেওঁৰ মুখৰ বৰণ কেহবাজ বটা যেন হল; তেওঁৰ কণ্ঠৰোধ হ'ল। মেনেজৰে

ভেতিয়া দৃঢ়ভাবে নাঙলুক কলে "আপুনি আজকেৰ মধ্যেই আমাদেৰ মেচ ছাড়িয়া অন্য কোথাও যান। আপনাকে আমি নটিশ দিলাম।"

নাঙলুৱে নিৰুপায় হৈ বঙালী মেচ এৰি এটা বঙালী হটেলত ঠাই ললে। ইয়াৰ পিছত নাঙলুৰ প্ৰতি বিধতা সুপ্ৰসন্ন হল। তেওঁ বি,এ পৰীক্ষাত উঠা বাতৰি পালে। এই বাতৰি পায়েই তেওঁ কলিকতাক আৰু কবিতাক নেওঁচা-কেওঁচা দি এৰি গুচি গৈ, অসমত গবৰ্ণমেণ্টৰ ডাঙৰ কাম এটা লৈ হাকিম হৈ বহিল গৈ। হাকিম হৈ নাঙলুৱে আৰু কবিতা নেলেখে। লোকে সুধিলে তেওঁ কয় যে তেওঁৰ কবিতাৰ পুং শুকাল। তেওঁ আজিকালি তেওঁৰ হাতৰ খজুৰতি উঠিলে এবাৰ আদবাৰ প্ৰত্ন-তত্ত্বৰ দুৱাৰখনৰ দাংডাল মেলি লৈ মামৰে খোৱা দুটা এটা বস্তুৰ বিষয়ে "গৱেষণা" কৰি "মূল্যবান" প্ৰবন্ধ লেখি কাকতত ছপাই জ্ঞানৰ পিয়াহ পলুৱায়।

– —

জগৰা মণ্ডলৰ প্ৰেমাভিনয়

মাজতে চাওখাট মৌজাৰ মণ্ডল জগৰাৰ এটা বৰ বিপদ গ'ল। কুগ্ৰহ। কুগ্ৰহ। ভাগ্যে দুপতীয়াতে ডাইল দৰবৰ গুণত তাৰ জীৱন ৰখিল, নতুবা বপুৰাক সি জোলোকা-জোলোকে পানী খুৱালেহেঁতেন।

মণ্ডলে এদিন বোৰহাটৰপৰা গধূলি উভতি আহি, ঘৰ পাই হাত ভৰি ধুই, ভাত খাই উঠি, চোতালতে পাটী-চৰা এখন পাৰি বহি, ঘৈণীয়েকে ওচৰতে বহি আগত ৰখাটো লৈ কাটি দিয়া তামোল খনচেৰেক একেবেলিয়েই এমোকোৰাকৈ মুখত সুমাই, জোনাক আকাশলৈ একেথৰে অলপমান পৰ চাই থাকি মাত লগালে,—"শুনিছ নে বোলো নিচলীৰ মাক, শুনিছ নে, আমাৰ জীৱন সমূলি মিছাতে গল। আমাৰ একোটো নহ'ল।"

জগৰাণী।—"কিয়নো মিছাতে গল?"

জগৰা—"কি কম নিচলীৰ মাক কি কম, আৰু কবলৈ বেজাৰ লাগে।"

জগৰাণী।—"কোৰ্ণাচোন কোৰ্ণা কি হল?"

জগৰা।—"আজি আমাৰ বোৰহাটৰ ন উকিল সৰুবাম শৰ্মা ডেকা ডাঙৰীয়াই তেওঁৰ লগৰীয়া ডেকালৰা জনচেৰেকৰে সৈতে গোটখাই বহি, কলিকতাত, ছেপাত মাৰি অহা এখন অসমীয়া কিতাপ ৰাৰৈকৈ মাতি পঢ়ি থাকোঁতেই মই তাতে ওলালোগৈ। উকিল ডাঙৰীয়াই মোক সৰ্বতিকালে 'চেৰ্ই' মৰম কৰে, মই গলেই মোৰে সৈতে ভালকৈ মাত-কথা কৈ মোক মাতি বুলি বহুৱায়। তেওঁলোকে খুপ-খুপীয়াকৈ বহি মেল পাতি ইমানকৈ মন দি নো কি পঢ়িছে শুনোৱেইচোন বুলি ময়ো তেওঁলোকৰ কাষতে বহিলো। তাৰ পিছতে অলপমান বেলি টলকা মাৰি থাকি লাহেকৈ সুধিলো—'ডাঙৰীয়াই নো কি পঢ়িছে, মই মহামূৰুখকো অলপ তাৰ ভাগ দি গিয়ান দিবনে?' উকিল ডাঙৰীয়াই সবিধান দিলে এইখন আমি নেভেল পঢ়িছোহঁক।' মই সুধিলো, 'ডাঙৰীয়া নেভেল নো আকৌ কাক বোলে? তাত নো কি লেখিছে, খন্দীয়ে জানিব খুজিছোঁ।' উত্তৰ পালো 'নেভেল এবিধ কিতাপ। এইবিধ কিতাপত পেমৰ কথা লেখা থাকে।' মই সুধিলো 'ঈশ্বৰ কৃষ্ণৰ ভকতি পেম নে কি ডাঙৰীয়া?' উকিল ডাঙৰীয়াই কলে, 'নহয়, এক ডেকা আৰু এক ডেকেৰীৰ পেম।' মই সুধিলো, 'ঈশ্বৰ কৃষ্ণৰ সৈতে গোপিনী সকলৰ পেমৰ কথা শুনিলে পুইণ হয়। ডেকাৰে সৈতে ডেকেৰীৰ পেমৰ কথা শুনিলে কি পুইণ হব ডাঙৰীয়া? বৰং সেই কথা লৈ গোচৰ লাগিলে আমাক সাক্ষী দিবলৈহে টনা-আজোৰা কৰিব পাৰে।' মোৰ কথা শুনি উকিল ডাঙৰীয়াই মাত লগালে, 'কিবা বোলেনে মণ্ডল, তুমি কোৱা কথা সঁচা, কিন্তু তেনেকুৱা পুইণ নহলেও নেভেলত লেখা পেম স্বৰ্গৰ পেম, শুধ পেম; তুমি আঙুলিয়াৰ খোজা ছোৱালী চুৰি মকৰ্দ্দমাৰ পেম নহয়।' মই কলো 'ডাঙৰীয়া, দয়া কৰি মোক ভালকৈ বুজাই দিয়কচোন এই পেম কেনে?' মোৰ কথা শুনি তেখেতে এখকলা বকৃতা দি পেম কাক কয় মোক বুজাই দিলে। অৱশ্যে মই সেই এটাইবোৰ ভালকৈ বুজিব নোৱাৰিলো; তথাপি তেখেতৰ বাইখা মোৰ শুনি থাকিবলৈ ভাল লাগিছিল, আৰু সচাঁকৈ কবলৈ গলে মই তাৰপৰা গিয়ান পালো অন্তত মই সুধিলো, 'ডাঙৰীয়া, গিৰিয়েক ঘৈণীয়েকৰ ভিতৰত পেম হব নোৱাৰেনে?' তেওঁ কলে, 'কিয় হব নোৱাৰিব? কৰিলেই হব পাৰিব; মাত্ৰ যিমানেই সোৱাদ হওক, লৰালৰিকৈ একেবাৰেই গিলি পেলালে তাৰ সোৱাদৰ উমান ভালকৈ পোৱা নাযায়; ছোৱাই চুহি লাহে লাহে সোৱাদ লৈ খালেহে তাৰ ভালকৈ সোৱাদ পোৱা যায়।' তেওঁৰ কথাষাৰ মোৰ মনত খৰকৈ খাই গল। আমি বিয়া কৰিলো, লৰা-ছোৱালীৰ বাপেক মাক হলোহঁক, খোঁৰাত উঠি ছুটি মেলাদি মেলিলো, কিন্তু পেম কি বস্তু তাৰ ভূ-ভা লবলৈ কতো এখোজ ববলৈ নহল। সেইদেখি আমি স্বৰ্গৰ পেমৰপৰা বঞ্চিত হলো। গৰু মহেও পোৱালি কুকাইছে, আমিও লৰা-ছোৱালী ওপজাইছোঁ; কিন্তু সৰগৰ প্ৰেমৰ ভু গৰু মহেও নাপালে আমিও নাপালো। দেখ নিচলীৰ মাক। মই মনতে ভাবি থিৰ কৰিছোঁ যে আমাৰ জীৱনৰ যি ছোৱা এইদৰে গল গল কিন্তু, বাকী ছোৱা আৰু এইদৰে যাবলৈ নিদিওঁ; পেম কৰি পেমৰ সোৱাদ লৈহে তাক পঠিয়াম।"

জগবাণী ।—“কিবা বোলেনে উদৰ সাত পুৰুষ মৰি গল কেঁচা মাছ খাওঁতেই, এতিয়া তাৰ মাছ পুৰি খাবৰ বতৰ আহিল। তিনি কাল গল একাল আছে, এতিয়া বৰুৱা ফুকন উকিল মনচুপৰ লৰাবে সৈতে জোৰ মাৰি কিবা পেম কৰিব লগীয়া হল। নকৰা সেইবোৰ দেওহে, সেইবোৰ আমাক নালাগে, আমি এতিয়া পেমভেম কৰিব নোৱাৰো।”

জগবা।— “নহয় নিচলীৰ মাক, তই বুজিব পৰা নাই, সেইবোৰ আমাক এতিয়া লগা হৈছে। আমি আগেয়ে আছিলো এক, এতিয়া হৈছো এক। চৰ্কাৰৰ ঘৰৰ মণ্ডলৰ বিষয়খন পাবৰে পৰা আমি ডাঙৰৰ শাৰীলৈ উঠিলো। ৰজাঘৰে প্ৰজাঘৰে এতিয়া আমি লেখৰ মানুহ হলো। এতিয়া আমি আগৰ গচ্-গতি নসলালে নহয়। ৰধ লাগে নিচলীৰ মাক তই বিধি পথালি নকৰিবি; মই তোৰে সৈতে আজিৰ পৰা পেম কৰিম।’

জগবাণী।—“শপত দিব লাগিছে কেলৈ, কি পেম কৰিব খুজিছা কৰাঁ; মই কিন্তু সেইবোৰ একো বুজ নাপাওঁ; কি কৰিব লাগে কৈ দিবা, দেখুৱাই দিবা, সেইদৰেই কৰিম। তুমি সন্তোষ পালেই মোৰো সন্তোষ।”

জগবা।—“ৰেছ কথা, ভাল কথা, সুন্দৰ কথা, চন্দৰ-বদনী বিধু-মুখী, সুৰলা কথা। আমি এতিয়াই আৰম্ভ কৰি দিওঁহঁক আহ; কিয়নো শুভ কাৰ্য্যত বিলম নকৰাই ভাল।”

এই বুলি জগবা মণ্ডলে জগবাণীৰ খুটৰিনৈত লাহেকৈ ধৰি জোনৰ ফালে জগবাণীক ঘূৰাই দি মাত লগালে—“এ হে। কোনটি জোন? এইটি নে সেইটি?”

জগবাণী।—“ধোৱাঁ দেও হে, চুৱা-চৰুৰ তলি যেন মোৰ মুখৰ বৰণ, তাক পাতিছা জোন। ইমানকৈ ঠেটা কৰিব লাগিছে নো কেলৈ? গোসাঁয়ে যাক যেনেকৈ চজিছে সি তেনেহে হব।”

জগবা।—“কি ঠেটা কৰিছোঁ; নাই কৰা; কাইব হে কৰিছোঁ। পেম কৰিবলৈ গলে পোনতে কাইব কৰি লব লাগে।”

জগবাণী।—“কি কৰি লব লাগে সোনকালে কৰি লোৱাঁ দেওহে; মোৰ আখল মচিবলৈ আছে, চুৱা কাঁহী বাটি ধুবলৈ আছে।”

জগবা।—“কেনে ফুৰ্ফুৰকৈ জুৰ বতাহ বলিছে, যেন ইন্দ্ৰই সৰগত বহি ৰূপধটোৱা ধোৱাঁ-খোৱাত মচলা-দিয়া বলা-বপাতৰ হোপাটোহে মাৰি সেই ধোৱাঁবোৰ নাকৰ বিন্ধাইদি লাহে লাহে ফুৰ্ফুৰকৈ আমাৰ ফাললৈ এৰি দিছে। সঁচাকৈ কৈছোঁ, নিচলীৰ মাক চন্দৰ-বন্দনী, এই বতাহ মোৰ গাত লাগি গাটো শাঁত কৰি গৈছে। সখি। তোমাৰ নাকৰ নিশাহটোও তেনে জুৰ; আৰু সি মোৰ গাত লাগিলে মোৰ গাটো জুৰাই যায়।”

জগবাণী।—“অতদিনৰ মূৰত মই সখী হলো। বচ়িয়া হৈছে। দিনৌ কথায় কথায় অমুকৰ জীয়েক, তমুকৰ জীয়েক, অমুক,-খাতী, তমুক-খাতী, হত-চিৰীহঁতী মাত পাই আছিলো, আজি আমুকা উকিলৰ যহত পেমত পৰি সখী হলো। মোৰ নাকৰ নিশাহ কোনোৰা কাচিৎ যাৰ মুখত পৰিলে গালি খাই তৎ এৰিছিলো এতিয়া সি খন্তেকতে ফুৰ্ফুৰীয়া বতাহ হল। এই ৰাৰে-ভচহ কথাখনকে তোমাৰ উকিল ডাঙৰীয়াই কাইব পেম বোলেনে? বলিয়া গছত নালাগে দেওহে, এইদৰেইহে ওলায়।”

জগবা।—“পিয়া! পিয়ত্তমা! তুমি এতিয়াও একোকে বুজ নাপালা, লাহে লাহে পাবা; মই পাব লাগিছো। আহা পেম কি সোৱাদ, কি মউ।”

জগবাণী।—“মাখি-মৌ। আৰু কি কব লাগে সোনকালে কৈ লোৱাঁ, মোৰ পলম হৈ গৈছে। ভালেমান কাম আছে। তুমি তো এতিয়াই গোণা মহে ফোঁচ্-ফোঁচোৱাদি ফোচ্-ফোঁচাই শুই থাকিবা, মই ৰাতি দুপৰলৈকে থাকি ধন কৰি মৰিব লাগিব।”

জগব।-“মই কি শুম? নোশোওঁ। মই শোৱা-পাটীত পৰি তোমাৰ মউ যেন ৰূপ সমাজিকত চুহিম হে।”

জগবাণী।-“এইখন পেম নহয় দেওহে, কিবা ঠেটা মস্কৰাহে। পেম নকৰিলে যদি ডাঙৰ মানুহ হব নোৱাৰি, আৰু বৰুৱা ফুকনৰ লৰাৰ শাৰীত চলিব নোৱাৰি, তেন্তে তুমি কাইলৈ গৈ কেনেকৈ পেম কৰে, উকিল ডাঙৰীয়াক ভালকৈ শুধি শিকি আহাঁ; এইখন অলিয়া-বলিয়া গাই নাথাকিবা।”

জগবা।-“পিয়া কি কৈছা? মই কি বকিছোঁ? পেমক কৰিয়ে কাইব কৰি পেমৰ ভাবত বুৰি থাকিলেহে সঁচা পেম হয় বুলি মোক উকিল ডাঙৰীয়াই ভালকৈ বুজাই কৈছে। পিয়া তোমাৰ মউ যেন মাতে মোৰ কাণৰ দুইটা বিন্ধা ভৰি গৈছে। মই পেমৰ গুনগুননিৰ বাহিৰে আন একো শুনিবলৈ পোৱা নাই আৰু নুশুনো।”

জগবাণী।-“মই এইখন তোমাৰ কাকতি বুজিলো, এতিয়া মোক ঠেটা-মস্কৰা কৰি ৰং চাবলৈ তুমি আজি বুধি কৰি আহিছা? মই একেবাৰ ডাঙৰকৈ মাত

মাতিলেই বাওমুই গৰুম্বাগালী বুলি মোক গালি নপৰাকৈ নথকা মানুহটোৱে আজি মোৰ মাতত মৌ পালে। এনেখন ঠেঁটা কৰি থাকিব নালাগে, বোৰহাটত গৈ কৰিবাগৈ, ইয়াত নহয়, মই উঠিলো।"

জগৰা।—"নাযাবা পিয়া নাযাবা। বিৰহৰ অগ্নিয়ে মোক পুৰি মাৰিব, মই সহিব নোৱাৰিম, মোৰ প্ৰাণ যাব। নিচলীৰ মাক চন্দৰ-বদনী। মই তোমাৰ শ্ৰীচৰণৰ নিকিনা গোলাম। মোক তোমাৰ ৰঙা চৰণত ঠাই দিয়া।"

এই বুলি জগৰাই জগৰাণীৰ ভৰিত ধৰিব খোজোতেই জগৰাণী একেচাথেই উঠি আঁতৰিল; আৰু গিৰিয়েকৰ গতি দেখি তাই ভাবিলে যে নিশ্চয় গিৰিয়েকে আজি কৰবাত ভাং ধতুৰা খাই আহি এইখন বলিয়ালি কৰিছে। ইয়াকে মনত সিদ্ধান্ত কৰি জগৰাণীয়ে লৰালৰিকৈ গৈ একলহ পানী আনি, শোধ-পোছ নাই জগৰাৰ মূৰত হৰ-হৰ কৰে ঢালি দিলে। জগৰা নিৰ্ব্বাক। শেহত জগৰাই তিতি-বুৰি শিকি একোকে নামাতি গা মচি তিতা চুৰিয়া সলাই পাটীত পৰিলগৈ; আৰু ঘৈণীয়েকে লৰালৰিকৈ এখুৰি তেল-পানী আনি জগৰাৰ মূৰত থপিয়াই দি বিচনীৰে বিচিৰলৈ ধৰিলে।

জগৰাই কিছুমান পৰ শোৱাপাটীত টলকা মাৰি থাকি মাত লগালে—"শুনিছনে, নিচলীৰ মাক, মই বলিয়া হোৱা নাই, তই ভয় নাখাবি। যি হল হল, এই কথা তই আৰু কাকো নকবি। মই তোৰে মূৰ খোৱা শপত খাই কৈছোঁ, আজিৰ পৰা এনে কাম নকৰোঁ।"

টৌবাক

ভ্ৰাম্যমান পৃথিবীত পৰিভ্ৰমণ লেখকৰ ভাগ্যত বিধিৰ লিখন। ফুৰোঁতে ফুৰোঁতে এদিন শিৱসাগৰ জিলাৰ অভয়পুৰ মৌজাত এডোখৰ মুকলি পথাৰৰ মাজত এটা টিলা দেখা পালোঁ। টিলাটোৰ ওপৰত গৰখীয়া লৰা গোটাচেৰেকে এজাক গৰু চৰাব লাগিছে। টিলাটো কিহৰ মোৰ জানিবৰ মন গল। লাহে লাহে গৈ মইও টিলাটোৰ ওপৰত উঠি গৰখীয়া লৰাহঁতক সুধিলো, "এইটো কি?" এটা লৰাই উত্তৰ দিলে "উই হাফলু।" মই কলোঁ "ইমানটো ডাঙৰ উই-হাফলু কৰবাত হব পাৰেনে?" আন এটাই মাত লগালে "হব নোৱাৰে যদি নহয়; হব পাৰে যদি হয়।" তাৰ কথাবাৰ যে সুবীয়া হৈ ওলোৱা নাই, তাক কোৱাৰ গচতে মই বুজিলো। আৰু বুজিলো যে সিহঁতে ৰব চেষ্টা; গোন্দপাটিয়ে সিহঁতে মোৰে সৈতে আলাপ কৰিবলৈ অনিচ্ছুক। ইয়াকে ভাবি থাকোঁতেই দেখিলো, সিহঁতৰে ভিতৰৰ এটাই চেঙা দমৰা এটাৰ পিছে পিছে লৰি গৈ তাক আগছিব নোৱাৰি, অলপ ঘূৰি গৈ হে তাক আগছিলে। সেই আহি ভতালিকে লৈ মইও সিহঁতক আগছিবৰ প্ৰণালী সলালো। মোৰ চোলাৰ মোনাত "চিগৰেট" অৰ্থাৎ তুলাপাতেৰে মেৰোৱা চেলেউ আছিল। তাৰে গোটাচেৰেক উলিয়াই ললো। চিগৰেটৰ মোহিনী শক্তি আৰু অখণ্ড প্ৰভাৱৰ কথা মোৰ জনা আছিল; গতিকে, সি যে অসৰৰ এচুকৰ অভয়পুৰ মৌজাৰ আৰব গৰখীয়া লৰাক ৰবাব পাৰিব সেই কথাত মোৰ সন্দেহ নাছিল। এটা চেলেউত জুই লগাই লৈ মই দোহোপামান মাৰি সিহঁতৰ ভিতৰৰ ৰবমূৰীয়া-টোক চেলেউ এটা যাচিলো। ৰবলৰ টোপৰ ৰবশীত চেঙেলি মাছ লগাদি টপকৰে সি মোৰ চেলেউ-টোপৰ ৰবশীত লাগিল আৰু তাক মোৰ আয়ত্তৰ ভিতৰুৱা কৰোঁতে-নোকৰোঁতেই বাকী কেউটাই মোৰ ওচৰত চেলেউ-মগনিয়াৰ হৈ হাত পাতিলে। মই তেতিয়াই চেলেউ-কল্পতৰু হৈ পৰি "সবাতে সমান ভাৱ" প্ৰকাশ কৰি মাগন্তাসকলক চেলেউ-ফল দান কৰিলো।

চেলেউ পাই প্ৰসন্ন হৈ ডাঙৰ গৰখীয়া লৰাটোৱে আকৌ মই নোসোধাকৈয়ে মাত লগালে,—"দেউতা, এইটো কিহৰ টিলা সঁচাকৈয়ে আমি কব নোৱাৰোঁ; আমাৰ গাঁৱৰ আন কোনোৱেও কব নোৱাৰে। কিন্তু তাহানি এদিন মোৰ বুঢ়া ককাই মোক কোৱা মোৰ মনত আছে যে এইটো হেনো কোনোবা বুঢ়ি স্বৰ্গনাৰায়ণ ৰজাৰ দিনৰ মৈদাম। ককা চুকাবৰ আজি ছুবছৰ হল। তেওঁ জীয়াই থকাহেঁতেন ইয়াৰ বিষয়ে আঁৰু কিবা কব পাৰিলেহেঁতেন কিজানি।" লৰাটোৰ কথা শুনি মোৰ মনত ক্ষন্তেকতে নানা ভাৱ খেলালে। কিন্তু এটাইবোৰ কিবা খেলি-মেলি লাগি থকা ভাৱ, সতকাই সেইবোৰ জুকিয়াই লব পৰা নহয়। সি যি হওক এইটো ভালকৈ বুজিলো যে সেই মৈদামটোৰ বিষয়ে সিহঁতৰপৰা নাইবা সেই ঠাইৰ আন কোনো লোকৰ পৰা কোনো কথা জানিবৰ উপায় নাই। গতিকে অলপমান পৰ মৈদামটোৰ ওপৰতে বহি থাকি লাহে লাহে তাৰপৰা নামি গুচি আহিলো।

মই অভয়পুৰত যি গৃহস্থৰ ঘৰত "গধূলিৰ অতিথি সাক্ষাৎ দামোদৰ" ৰূপে থিতি কৰিছিলো সেই ঘৰৰ ঘৈণীৰ সেইদিনা নেঃ নেঃ ঠেঃ ঠেঃ খিৰৰ গা বেয়া হোৱা গতিকে আলহী শুধিবৰ ভাৰ চাউল-গিজোলাৰ ওপৰত নপৰি লোওৱা পিঠাগুৰিৰ ওপৰত পৰিল। পিঠাগুৰিয়ে সেই বাব পাই গধূলি মোৰ থাকৰ সময়ত এটা বাটিৰ ভিতৰত বহি গপতে ওকলি

এখাটি হৈ লগত এটা আঠীয়া-কল এখাৰোচ গুড় আৰু আদপোৱামান এৰ্ঁা গাখীৰ লৈ মোৰ আগত ধপহ-কৰে ওলালহি। পিঠাগুৰিৰ সৈতে ভালেমান দিনৰ পৰা মোৰ অসদ্ভাৱ চলি আহিছিল; সৰহ নকওঁ, সেই অসদ্ভাৱ ইমান দূৰ পকি উঠিছিল যে পিঠাগুৰিৰে সৈতে মোৰ মাত-বোল দূৰৰ কথা দেখা-সাক্ষাতো একপ্ৰকাৰ বন্ধ হৈছিল গৈ। আজি অযাচিত ভাৱে অম্লান বদনে সি আহি মোৰ আগত প্ৰকাশ হোৱা দেখি পোনতে যদিও মই তাৰ সেই "বিয়াদপিত" বিৰক্ত হৈ উঠিছিলো, কিন্তু পিচত ভোকৰ পৰামৰ্শ মতে সপৰিবাৰে তাকে মোৰ পেটত ঠাই দিবলৈ বাধ্য হলো। ভোকৰ পৰামৰ্শ নুবুলি ভোকৰ খচ্খচনি বোলাই উচিত, কিয়নো প্ৰথমে যদিও ভোকে নিজৰ গুমৰ ৰাখি পিঠাগুৰিৰ ওপৰত খং নকৰিবলৈ মোক গহীনভাৱে উপদেশ দিছিল, কিন্তু মই সেই উপদেশ ভালকৈ কাণপাতি নুশুনা যেন দেখি, পিচত সি প্ৰথমে পিন্ধি কথা কোৱা মুখাটো খহাই থৈ ৰবং ভয়খিঙ্খলতা প্ৰকাশ কৰি খচ্খচনি লগাই দিলে, আৰু অন্তত মোৰ ওপৰত খৰকৈ ডাবি আৰু টান হুকুম জাৰি কৰিবলৈ ধৰিলে। সঁচা কথা কবলৈ গলে, ভালেমান দিন বিচ্ছেদৰ মূৰত মিলনৰ বাবেই নে কি কব নোৱাৰোঁ, মোৰ জিভাই সেই পিঠাগুৰিৰ সঙ্গজনিত প্ৰীতি অনুভৱ নকৰি নাথাকিছিল।

প্ৰথম ঘুমাটিৰ অন্তত সাৰ পালো। মোৰ টেঙা-পানী উঠা আৰু বুকুত অলপ খোচা-বিন্ধা কৰা যেন পালো। বুজিলো, যদিও বন্ধুভাৱে পিঠাগুৰি মোৰ অন্তঃপুৰত প্ৰৱেশ কৰিছিল, তথাপি সি "পূৰ্ব্ব শক্ৰ মনে জানি" মোৰ বুকুত "শৰ হানি" শত্ৰুতাচৰণ কৰিবলৈ পাহৰা নাই। "স্বভাৱো যাদৃশো যস্য ন জহাতি কদাচন" এই পুৰণি শ্লোক মাতি মনৰ ক্ষোভ মিটাই, পাটীতে আকৌ লুটি-বাগৰ দি টলকা মাৰি ৰলো। সেই ভাৱে পৰি থাকোঁতেই মোৰ টোপনি আহিল। কিমান পৰৰ মূৰত কব নোৱাৰো তলত লেখা সমাজিকটো দেখিলো:—

মই গৈ ৰাতিপুৱা দেখা সেই মৈদামটো পালো। তাৰ ওপৰত আগৰ দৰেই বহি থকাৰ পিছত দেখিলো, মৈদামটো শামুক এটা মেল খোৱাদি মেল খালে। তাৰ ভিতৰত কি ভয়ঙ্কৰ দৃশ্য।

দুটা হাতীৰ জকা। পাঁচোটা ঘোঁৰাৰ জকা। এমখা মানুহৰ জকা (নৰা আৰু ডাঙৰৰ)। দুটা মানুহৰ জকাই হাতেৰে দুটা আৰিয়া ধৰি আছে; আৰু জলি থকা সেই আৰিয়া দুটাই মৈদামটোৰ ভিতৰখন পোহৰাই থৈছে। দেখিলো তাৰ ভিতৰখন ছালপীৰা, বৰপীৰা, মেৰচৰা, বঁটা, শৰাই, পিকদানি, লোটা, বাটা, কাঁহী, কলহ, খাবৰ বস্ত্ৰ, পিন্ধিৰ কাপোৰকানি ইত্যাদিৰে ভৰপূৰ। সেইবোৰ মই চাই থাকোতে থাকোঁতেই হঠাৎ দেখিলো, জকাবোৰে, হচৰি গোৱা মানুহৰ দৰে ঘূৰি ঘূৰি নাচিবলৈ ধৰিলে, অথচ সিহঁতৰ মুখত মাত নাই। সেই অদ্ভুত নাচ দেখি ভয়ত মোৰ মুখখন শুকাই গল, বুকুখন চপ্-চপাবলৈ ধৰিলে, গাৰ নোমবোৰ শিয়ঁৰি উঠিল, আৰু হাত-ভৰিবিলাক অৱশ হল। ভাৱনাৰ ৰৰধেমালিৰ ওৰ পৰাদি অলপমান বেলিৰ পিছত সেই উৎকট নাচৰ ওৰ পৰিল; আৰু দেখিলো, জকাবোৰ ইমান খেলিমেলি লগাই নচাৰ আগেয়ে যত যি যেনে ভাৱে আছিল, আকৌ তাতে সি ঠিক তেনে ভাৱেই ৰ'ল। ক্ষন্তেকৰ পিছতে সেই দৃশ্য পৰিবৰ্ত্তিত হল, দেখিলো জকাবোৰে মানুহ হাতী ঘোঁৰাৰ স্বাভাৱিক অৱস্থা পালে; এটাইবোৰ তেজ মঙহ আৰু অঙ্গ-প্ৰত্যঙ্গাদিৰে সজীৱ হল। ভোজবাজীৰ নিচিনা ক্ষন্তেকতে পৰি-বৰ্ত্তনশীল সেই দৃশ্যবোৰ মই অবাক হৈ চাই আছোঁ, এনেতে এজন বয়সিয়াল মানুহে মোক হাতবাউলি দি মৈদামৰ ভিতৰলৈ মাতিলে। মোৰতো লৰিব-চৰিবৰ শক্তি নাছিল; আৰু থাকিলেও, পৰা পক্ষত যে মৈদামৰ ভিতৰত নোসোমাওঁ সেইটোও নিশ্চয় কৰিছিলো। মই নামি মৈদামৰ ভিতৰলৈ যাবলৈ অনিচ্ছা প্ৰকাশ কৰি মূৰ জোকৰা দেখি সেই মানুহ-জনেই মৈদামৰ ভিতৰৰপৰা ওপৰলৈ উঠি আহি মোৰ ওচৰতে থহিল। ভয়ত মই ঠক্ ঠক্ কৰে কঁপিবলৈ ধৰিলো। মোৰ শোচনীয় অৱস্থা দেখি দয়াপৰৱশ হৈ মৈদামবাসীয়ে মাত লগালে, "বোপাদেউ! তুমি ইমান ভয় কৰিছা কিয়? ভয়ৰ কোনো কাৰণ নাই। তুমি ভয় কৰি মৈদামৰ ভিতৰলৈ নগলা বুলি বুজি ময়ে তোমাৰ ওচৰলৈ আহিলো। আঃ! বাহিৰত কি নিৰ্ম্মল বতাহ। উশাহ লৈ জীলো যেন লাগিছে! কি বিমল আকাশ! কি সুন্দৰ পৃথিৱী! কত কালৰ মূৰত মই আজি তোমালোকক পালো! হে পৰমেশ্বৰ, তোমাৰ ধন্য সৃষ্টি, ধন্য জগৎ ৰচনা। একালত মইও এইবোৰ ভোগ সুখৰ অধিকাৰী আছিলো। হায়! সূৰ্য্যৰ উত্তাপ, চন্দ্ৰৰ পোহৰ, বায়ুৰ নিৰ্ম্মল হিল্লোল একালত মইও অবাধে ভোগ কৰিবলৈ পাইছিলো। এতিয়া মই সেই অধিকাৰৰপৰা চিৰবঞ্চিত!!! যাওক সেইবোৰ কথা। বোপাদেউ, আমি কোন তুমি জানিবলৈ নিশ্চয় উৎসুক হৈছা, নতুবা এই নিজান ৰাতি তুমি ইয়ালৈ নাহিলাহেঁতেন। আমি কোন, সেই কথা তোমাক কওঁ বুলিহে মই তোমাক মৈদামৰ ভিতৰলৈ মাতিছিলো; তুমি ভয় কৰি নাযাবৰ দেখি ময়েই উঠি তোমাৰ ওচৰলৈ আহিলো।

"সি আজি অনেক কালৰ আগৰ কথা—বুঢ়া ৰজা প্ৰতাপ সিংহৰ দিনৰ। প্ৰতাপসিংহক বুদ্ধিস্বৰ্গনাৰায়ণো বুলিছিল। তেওঁৰ তিনিজন কোঁৱৰ আছিল। ধৰজন কোঁৱৰৰ নাম চুৰাম্ফা, মাজুজনৰ নাম চুটিয়াম্ফা

আৰু সকলোৰে নাম চাই আছিল। বুঢ়া ৰজা স্বৰ্গনাৰায়ণৰ বৰ নৰিয়া হলত, তেওঁৰ সৰুজন কোঁৱৰ চাইয়ে কিছুমান বগুৰা মানুহ গোটাই লৈ বাপেক মৰাৰ পিছত সিংহাসন অধিকাৰ কৰিবৰ নিমিত্তে সাজু হল। ৰবকোঁৱৰ চুবাম্ফাই মাজু ভায়েক চুটিয়ানুফাক কলে যে তেওঁ নিজে নিঃসন্তান; গতিকে, তেওঁৰ পিছত চুটিয়ানুফাই যে ৰাজ্য পাব এইটো ধ্ৰুৱ। এই বুলি তেওঁ চুটিয়ানুফাক বুজাই প্ৰবোধ দি নিজৰ ফলীয়া কৰি লৈ দুয়ো মিলি ষড়যন্ত্ৰকাৰীসকলৰ সৈতে চাইক নগৰৰপৰা বাজ কৰি খেদাই দিলে। প্ৰতাপসিংহ চুকালত ডাঙৰীয়াসকলে চুবাম্ফাক ৰজা পাতি সেৱা কৰিলে। তাৰ পিছত চাইয়ে যদিও আকৌ ষড়যন্ত্ৰ কৰিছিল, কিন্তু অকৃতকাৰ্য্য হৈ ধৰা পৰি চুবাম্ফাৰ হাতত প্ৰাণ হেৰুৱালে। চুবাম্ফা অতি জঘন্য স্বভাৱৰ লোক আছিল। ৰজা হৈয়েই তেওঁ বাপেকৰ কুঁৱৰী মাহীয়েক এজনীক নিজৰ কুঁৱৰী কৰি ললে। তাৰ পিছত চোটিয়া জাতৰ তিকতা এজনীক, তাইৰ গিৰিয়েকক বিহ খুৱাই মাৰি, নিজৰ কুঁৱৰী কৰিলে। চোটিয়া কুঁৱৰী ৰজাৰ খৰ লাগী হৈ পৰিল। তেওঁ আগৰ গিৰিয়েকৰ ভতিজা লৰা এটি তোলনীয়া পো কৰি ললে, আৰু ৰজাৰ হতুৱাই সেই লৰাক যুৱৰাজ মনোনীত কৰাই ৰজাৰ পিছত ৰাজপাটত বহুৱাবলৈ থিৰ কৰিলে। চুবাম্ফাই ৰজা হবৰ আগেয়ে মাজু ভায়েক চুটিয়ানুফাৰ আগত কৰা অঙ্গীকাৰ এইদৰে ভঙ্গ কৰিলে। ইয়াৰ কিছু দিনৰ পিছত ঈশ্বৰৰ ইচ্ছাত সেই তোলনীয়া লৰাটো মৰি থাকিল। তোলনীয়াক বিহ খুৱাই মাৰিলে বুলি চুটিয়ানুফাৰ পুতেক এজনৰ গাত বদনাম পৰিলত, সেই কোঁৱৰক প্ৰাণদণ্ডৰ নিমিত্তে চাণ্ডালৰ হাতত দিবলৈ ৰজাই চুটিয়ানুফাক আদেশ কৰিলে। পুতেকৰ অপৰত (যদিও সেই অপৰত কোনো প্ৰমাণ নাছিল) চুটিয়ানুফাৰ ধন সম্পত্তি কাঢ়ি লৈ বাজ ভৰালৈ পঠিওৱা হল। ইয়াৰ লগে লগে চোটিয়ানীৰ ইচ্ছামতে আৰু এটা ৰাজ-আজ্ঞা প্ৰচাৰিত হল যে প্ৰত্যেকজন ডাঙৰীয়াৰ একোটিকৈ লৰা সেই তোলনীয়া লৰাৰ শৱৰে সৈতে মৈদামত দিব লাগে, যাতে সেই লৰাবোৰে সৈতে তোলনীয়া কোঁৱৰে মৈদামত উমলি থাকিব পাৰে। যেনে আদেশ তেনে কাম হল। চাই পঠিওঁাচোন সেই আঠোটি লৰা। তেওঁলোকে তোলনীয়াক বেঢ়ি বহি আছে। সেই আঠোটিয়েই আঠজন ডাঙৰীয়াৰ লৰা। পূৰ কালৰ তিনিটি—বৰগোহাঁই, বুঢ়াগোহাঁই, আৰু বৰপাত্ৰগোহাঁইৰ লৰা। পশ্চিম কালৰ তিনিটিৰ এটি বৰবৰুৱাৰ, এটি বৰফুকনৰ আৰু এটি নাওবৈচা ফুকনৰ। দুকাষৰে দুটিৰ এটি ডিহিঙীয়া ফুকনৰ, আনটি ভিতৰুৱাল ফুকনৰ লৰা। খোৱা বস্তুৰ কাষত বহি থকা সেইটো চাংৰাই তোলনীয়াক আভপানী বাঢ়ি খুৱাবলৈ দিয়া হৈছিল। হাতত জোৰ লৈ থকা সেই দুটা আবিয়া-বৰা, বন কৰি দিবলৈ সেই দুটা লিকচৌ, তোলনীয়া উঠি ফুৰিবলৈ সেই দুটা হাতী, সেইকেইটা ঘোঁৰা, সেইখন কেকোৰা দোলা। সেইবোৰ বাটি, কাঁহী, শৰাই, মেৰচৰা, ৰৰপীৰা, ছালপীৰা, আদি নানান বস্তু দেখিছাই, সেই এটাইবোৰ তোলনীয়া কোঁৱৰৰ ব্যৱহাৰৰ নিমিত্তে দিয়া হৈছিল। মই কোন, মোকো কিয় ইয়াত দিয়া হৈছিল, সেইটোও তোমাক ভাঙি কৈ থওঁ। মই তোলনীয়া কোঁৱৰক লেখাপঢ়া শিকোৱা অধ্যাপক আছিলো। লৰাটিয়ে মোক বৰ ভাল পাইছিল, সেইদেখি লৰাটিক লেখাপঢ়া শিকাবলৈ চোটিয়ানীৰ বুধি শুনি ৰজাই মোক মৈদামত দিলে। আহোম ৰজাৰ ন্যায় বিচাৰ, বিবেচনা, ধৰম, ৰীতি আৰু নীতিৰ এই চিনাকী, বোপাদেউ, তোমাক দিলো। এওঁলোকৰ কাৰ্য্য দেখিলে, এই পৃথিৱীত ঈশ্বৰৰ কিবা হাত আছে যেন মনে নধৰে। এওঁলোকে নিজক স্বৰ্গদেও অৰ্থাৎ স্বৰ্গৰ দেৱতা বোলে। এনেবোৰ ব্যৱস্থা যদি স্বৰ্গৰপৰাহে এওঁলোকে নমাই লগত লৈ আহিছিল তেনেহলে তেনেখন স্বৰ্গলৈ জন্মজন্মান্তৰেও যেন কোনো নাযায়। তেনে স্বৰ্গলৈ যোৱাতকৈ এই ভয়ঙ্কৰ মৈদামৰ দুৰ্ঘোৰ যন্ত্ৰণা সহিও যেন চিৰকাল আমি থাকোঁ। বোপাদেও, এই স্বৰ্গদেওসকলৰ সঁচ এতিয়াও অসমত আছেনে?” মই মূৰ জোকাৰি নাই বুলি উত্তৰ দিলো। মোৰ উত্তৰটো শুনি তেওঁ আকাশৰ ফালে চাই কলে “তেনেহলে হে ঈশ্বৰ তুমি আছাঁ। আৰু এই পৃথিৱীত ধৰ্ম্মও আছে।”

এনেতে বহুত দূৰৰপৰা প্ৰথম কুকুৰাৰ ডাক শুনিলো। কুকুৰাৰ ডাক শুনি তেওঁ চিঞৰ মাৰি উঠি মোক কলে “বোপাদেউ, অদৃষ্টৰ লিখন কোনে খণ্ডাব? মই আৰু বাহিৰত থাকিব নোৱাৰোঁ।” এই বুলি বৰ শোকৰ চকুৰে মোৰ ফালে তেওঁ চাই নাহেকৈ নামি ভিতৰ পালতে, মানুহ হাতী ঘোঁৰাবোৰ আকৌ আগৰ নিচিনা জকাবোৰ হল; আৰু সেই জকাবোৰৰ চকুবোৰ জ্বলি তাৰপৰা জুইৰ ফিৰিঙতিৰ নিচিনা ওলাবলৈ ধৰিলে। ক্ষন্তেকতে সেই জকাবোৰে আগৰদৰে পৈশাচিক তাণ্ডৱ নৃত্য কৰিবলৈ ধৰিলে। তাৰ ক্ষন্তেকৰ পিছতে মৈদামটোৰ মুখখন জাপ গৈ আগৰ নিচিনা হল। মই গাৰ পাই দেখিলো, মই মোৰ শোৱাপাটীতে পৰি আছো, আৰু বুকুৰ খোচাবিন্ধা অলপো কমা নাই।

মোৰে সৈতে মলাইৰ দল

কালি গধূলি ভাত-পানী খাই পাইপটো হুপি মোৰ ঘৰতে অকলৈ বহি আছিলো, এনেতে ভাল মানুহ এজন ঘপহ কৰে মোৰ আগত ওলালহি।

মানুহজন ইমান দীঘল যে এই কলিকালত আমাৰ দেশত এনে দীঘল মানুহ এজন আছিল বুলি মই আগেয়ে নাজানিছিলো। মই নিজেই ইমান ডাঙৰ দীঘল মানুহটো, কিন্তু সেইজনৰ আগত দেখিবলৈ মই যেন এটা বওনা হলো। ক'ৰ পৰা লেংলেংকৰে ইমান দীঘল কটাৰী-নলীয়া মানুহজন খামাখা মোৰ ওচৰত ওলালহি তাৰ একো উৱাদিহ নাপাই যদিও মই থৎমৎ খাই গৈছিলো, তথাপি অতিথিক সৎকাৰ কৰাটো গৃহস্থৰ কৰ্ত্তব্য বুলি ভাবি, মোৰ সমুখত খালি হৈ পৰি থকা চকিখনত তেওঁক বহিবলৈ টিয়াৰ দিলো। তেওঁ মুখখন টিপা মাৰি হাঁহি লাহেকৈ চকিখনত তিনি পাক খাই বহি মোৰ মুখলৈ চাই এনেকৈ মিচিকীয়া হাঁহি এটা মাৰিলে যেন তেওঁ মোৰ কোনোবা কালৰ চিনাকি মানুহজন হে। তেওঁ বহিয়েই মোক শুধিলে, "ডাঙৰীয়া, আপুনি কেনে আছে?" মই "ভালে আছো" বুলি সমিধান দি উভতি তেওঁক শুধিলো, "আপোনাক মই চিনি পোৱা নাই দেখোন?" মোৰ প্ৰশ্নটো শুনি আলহীজনে ডাঙৰকৈ হাঁহি উত্তৰ দিলে, "কি আপুনি মোক চিনি নোপোৱাই হল নে কি? আপুনি তো বঢ়িয়া মানুহ।" তেওঁৰ হাঁহি আৰু কথাত মই অপ্ৰতিভ হৈ ভাবিলো যে নিশ্চয় তেওঁ মোৰ কেতিয়াবাৰ চিনাকি মানুহ, মইহে তেওঁক চিনিব পৰা নাই। ইয়াকে ভাবি মই মাত লগালো, "মোৰ দায় মৰিষণ কৰিব, মই সঁচাকৈয়ে আপুনি কোন পাহৰিলো।" আলহীয়ে মোৰ কথাৰ আন একো উত্তৰ নিদি আকৌ এবাৰ হো-হো কৰে হাঁহিলে। তেওঁৰ এই বাৰৰ হাঁহিয়ে মোৰ মুখৰ বৰণ এনেকৈ শুহিলে যে মই শেতা পৰি গলো। মই দেখিলো, মোৰ মহা মস্কিল উপস্থিত। যি হওক, মোৰ মনৰ ভাব ততালিকে ঢাকি মই মাত লগালো "মোৰ ওচৰলৈ অহাৰ সকাম বা কি?"

আলহী। "সকাম আছে; নহলে কিয় আহি আপোনাক আমনি কৰিম? কম লাহে লাহে। তাৰ আগেয়ে কওঁ, আপুনি যে অকলৈ ফচ্-ফচ্ কৰে পাইপৰ ধোঁৱা উৰাব লাগিছে, আলহীকো তাৰ অলপ-অচৰপ ভাগ নিদিয়ে নে?"

"নিশ্চয় নিশ্চয় দিম" এই বুলি মই উঠি হাত মেলি আলমাৰিটো মেলি চেলেউ দুটা উলিয়াই জিয়াচলি এটাৰে সৈতে তেওঁৰ ফালে আগবঢ়াই দিলো। তেওঁ বিশেষ আড়ম্বৰ নকৰি জিয়াচলিৰ কাঠি এটা ভচ্‌কৰে মাৰি চেলেউটোত জুই লগাই লৈ নিঃশঙ্কচিত্তে হুপিবলৈ ধৰিলে। ক্ষন্তেকৰ পিছতে দুইবো মুখৰ ধোঁৱা গোটখাই আবি বহি থকা খোটালি-টোৰ একোটালি হল, আৰু ধূৰ্ম্ৰ লি-কুঁৰলিত চেলেউ দুটাৰ জলা মুখ দোজোখৰৰ বাহিৰে আন একো নেদেখা হল।

তিনি মিনিটমান এইদৰে চেলেউ আৰু পাইপৰ ধোঁৱাই যাগ দি খোৱাৰ পিছত কলা পকাদি দুয়ো পকি উঠিলো। মোতকৈ ক্ষন্তেকমানৰ আগেয়ে তেওঁ পকিছিল হবলা; সেইদেখি তেওঁ আগেয়ে মাত লগালে—"বকস্বা ডাঙৰীয়া, আপোনাক এটা কথাৰ খাটনি ধৰোঁ, অনুগ্ৰহ কৰি খাটনিটো ৰাখিব নে?"

মই। "সাধ্য হলে ৰাখিম, অসাধ্য হলে কেনেকৈ ৰাখিম?"

আলহী। "সেইদৰে কলে নচলিব; আপুনি মোৰ খাটনিটো ৰাখিবই লাগিব, নিশ্চয় নিশ্চয়।"

মই। "কিনো খাটনিটো আগেয়ে শুনোৱেই-চোন?"

আলহী। "শুনিবতো। শুনাম বুলিয়েই আহিছোঁ। অৱশ্যে আপুনি জানেই যে আলহী শোধাটো গৃহস্থৰ কৰ্ত্তব্য কাম। সেইটো কথা আৰু আপোনাৰ নিচিনা খিজ্ঞলোকক কোৱাটো সৰহৰ ভাগ। অতিথিক বিমুখ কৰাটো যে পাপ সেইটোও আপোনাক সোঁৱৰাই দিবলৈ গলে অসন্মান কৰা হব। অতিথি বিফল-মনোৰথ হৈ উভতি গলে যে সেই পাপে গৃহস্থক বৌ-বৌ নৰক পৰ্য্যন্ত 'পছচাই' দিয়ে সেইটোও মই খিশেষকৈ আপোনাক সকিয়াব নোখোজো। সেই দেখিহে কৈছো, আপুনি মোক বিমুখ কৰিব নোৱাৰে।"

মই। "নোৱাৰিলে নকৰো, পাৰিলেও কৰিবৰ মোৰ ইচ্ছা নাই। সেইদেখি আপুনি কি কৰ খুজিছে সোনকালে কওক, ইমান পাতনি কৰিবৰ সকাম খিশেষ মই দেখা পোৱা নাই। মই পোনপটিৰ ভোটা মানুহ। আপোনাক কি লাগে?"

আলহী। "ময়ো বেকা পতিৰ মানুহ নহওঁ; গতিকে, পাতনিকাটনি একো নকৰাকৈয়ে কওঁ যে, মোক ৰৰকৈ লৰালৰিকৈ এগাল ৰূপ লগা হৈছে। কমপক্ষেও চাৰি পাঁচ লাখ। নহলেই নচলে। মই থাকিবলৈ ডাঙৰ টোলেৰে সৈতে ভাল পকী ঘৰ এটা মোক লাগে। ঘৰটোৰ সমুখত ফুলেৰে শুৱনি ৰাগিছা এখন থাকিব লাগিব। ৰাগিছাখনৰ ভিতৰত ৰঙা শিলৰ খটখটিৰে ডাঙৰ সৰু মাছেৰে ভৰি থকা পুখুৰী এটা লাগিব। পিছফালে অলপ দূৰত নানাবিধ ফলৰ ৰাগিছা এখন লাগিব, যাৰ গছবোৰত পকা সোৱাদ ফল দদাই ওলমি লাগি থাকিব লাগিব। দেখিবলৈ সুন্দৰ গাড়ীখনচেৰেক, ঘোৰাশালত একুৰিমান তাজী ঘোৰা, গোহালিত এগোহালি খীৰতী গাই—"

এইখিনিতে তেওঁৰ চেলেউটোৰ জুই নুমাই যোৱা দেখি তেওঁ অলপ বৈ আকৌ জিয়াচলিৰ কাঠি এটা

মাৰি চেলেউটোত জুই লগাই ললে। তাৰ ভিতৰতে লাহেকৈ মই মাত লগালো,—"কৈ যাওক, কৈ যাওক, নৰখ, শুনিবলৈ ভাল লাগিছে। এইবোৰৰ লগতে দিপ্‌লিপ্ ৰাজকন্যা এটাৰ 'দাবিটো' নাপাহৰিব।"

মোৰ কথাষাৰ শুনি আলহীয়ে টানকৈ চেলেউটোত হোপা মাৰি ধোঁৱা টানি লৈ সেই ধোঁৱা নাকেদি দীঘলীয়াকৈ উলিয়াই কলে, "কিয় পাহৰিম? দিপ্‌লিপ্ কন্যা তো লাগিবই। সেই কথালৈ যাব লাগিছোঁ।"

মই। "যাওক; বাটতে থমকি নৰখ; সেইটোও কৈ পেলাওক, বাকী নথব।"

আলহী। "কলে কিবা নৰজিব বুলি ভাবিছে নে কি? কম; কৈছোঁ; কলো; এশবাৰ কম; হাজাৰবাৰ কম; পৰ্বত কম; ঘৰত কম, লাগে যদি বৰ-ঘৰৰ চালৰ মূধত উঠি কম, যে মোক ৰজাৰ জীয়াৰীৰ নিচিনা ৰঢ়িয়া আৰু অপেচৰাৰ নিচিনা ধুনীয়া ছোৱালী এজনী এইবোৰৰ সৈতে লাগিবই লাগিব। নহলে, এনে ঘৰ বাৰী বাগিছা টকা পইচা কাৰে সৈতে মই ভোগ কৰিম? এই কথাটো কবলৈ যদিও মই পিচলৈ থৈছিলো, এইটো কিন্তু খাই কথা।"

মই। "জৰুৰ, জৰুৰ, অল্‌বৎ অল্‌বৎ।"

আলহী। "পেংলাই নকৰিব। ই পেংলাইৰ কথা নহয়। গধুৰ কথা ঠাট্টা কৰি উৰাই দিবলৈ যোৱাটো অভদ্ৰতা। আৰু সি কেতিয়াও নুৰেও। মানহক টুটুৱাই থাকি সুখ উপভোগ কৰাটো কোনো কোনোৰ পক্ষে ৰঙৰ কথা হব পাৰে, কিন্তু যাক টুটুৱাই থকা যায় তাৰ প্ৰতি সেইটো ভয়ঙ্কৰ নিষ্ঠুৰতা। আপুনি পাহৰিলে নে কি কত বাৰ কত দিন তেনে ছোৱালীৰ ফালে আকুল প্ৰাণেৰে হেঁপাহৰ চকুৰে লোভ টুকি টুকি চাবলৈ আপুনি মোক উচটাই দিছিল? সেইবোৰ কথা আজি পাহৰিলে বৰ দুখৰ কথা হব। আন নহলে আপোনাৰ নিজৰ সন্মান ৰক্ষাৰ নিমিত্তেও সেই কথা আপুনি পাহৰাটো উচিত নহয়। আপুনি ভদ্ৰলোক, ধাৰ্ম্মিক, সত্যবাদী বুলি আপোনাৰ সুখ্যাতি আছে। এনে স্থলত বহু পৰিশ্ৰমেৰে উপাৰ্জ্জিত সেই-বোৰ খিতাতে আপুনি দলিয়াই পেলোৱাটো উচিত নে? আপুনি মোক গছত তুলি তাৰ গুৰিডাল কাটিবলৈ যোৱাটো যে অধৰ্মৰ কথা হব, সেইটো আপোনাৰ মনত খেলোৱা নাই নে?"

মই। "আপুনি কি বলকিছে? কিবা ৰাগী-টাগি লগাই আহিছে নেকি? মই আপোনাক তেনে কামলৈ কেতিয়া উচটাইছিলো? কি ভয়ানক মিছা কথা।"

আলহী। "অলপো মিছা নহয়। এধানমানো মিছা নহয়। উচটাইছিল! উচটাই মোক পাঁচি দিছিল। কত দিন কত বাৰ, তাৰ লেখ-জোখ নাই। আপুনি এটাইবোৰ পাহৰিছে; পাহৰা উচিত নহয়। মই কেতিয়াও মিছা নকওঁ, আৰু কোৱা নাই। মই মিছা কথাৰ মানুহ নহওঁ। আপুনিও মিছা কৈছে বুলি মই নকওঁ; আপুনি মাথোন পাহৰিছে। অকল সেইটোলৈ মোক উচটোৱাহে নালাগে, কত কামলৈ তেনেকুৱা আৰু আন কত বিধৰ কামলৈ আপুনি মোক সজতে উচটাই পঠিয়াই আগৰচাই দি আঁতৰত থিয় হৈ ৰং চাইছিল তাৰ সীমা সংখ্যা নাই। সেই-বোৰ এতিয়া কৈ কি লাভ? এই সামান্য কথাটোকে আপুনি সৈ কাঢ়িবলৈ কেকোজেকো কৰিছে যেতিয়া সেইবোৰ এটা এটাকৈ মই উলিয়াবলৈ গলে কিজানি আপুনি মোক কিলায়েই মাৰিব।"

মই। "চাওক, আপুনি মোৰ ঘৰলৈ আহি বৰ বেয়া-বেয়াকৈ মোৰ গাত বদনাম দি কিবা কথাবিলাক কবলৈ ধৰিছে। এইবোৰ ভাল কথা নহয়। লোকে শুনিলে কি বুলিব?"

আলহী। "লোকে কি বুলিব সেইটো মোক কেলৈ লাগিছে? মোৰ কাম মই কৰিম, লোকৰ কাম লোকে কৰিব। সঁচা কথাত আপুনি অসন্তুষ্ট হবৰ কোনো কাৰণ নাই। কিবা বোলেনে, দেৱতাৰ উৎপত্তি কলে ৰং, মানুহৰ উৎপত্তি কলে খং।"

আলহীৰ এই গচৰ কথা আৰু মোৰ অসহ্য হৈ উঠিল। মোৰ ভয় সঙ্কোচ আদি ভাবৰ ঠাই খঙে অধিকাৰ কৰিলে। মই কৰ্কশভাৱে তেওঁক সুধিলো, "তুমি কোন হে? মোৰ ঘৰলৈ আহি তুমি এইবোৰ মিছা কথা কবৰ কোন?"

আলহী। "মইময়েই। এইবোৰৰ এতিলমানো মিছা নহয়, তেহেলৈ আপুনি মানকেই বা নামানক। আপুনি ৰবকৈ গপ নামাৰিব। আপোনাৰ বিষয়ে মোৰ একো অবিদিত নাই। মই আপোনাৰ পেটৰ কথা সোপাকে জানো। মোৰ আগত লুক্‌চুক্ কৰাটো গোটেই মিছা; আৰু ফাইদাং মৰাটোও তথৈবচ।"

মই। "কি মই তোৰ আগত লুক্‌চুক্ কৰিছো? তই কি মোৰ পেটৰ কথা জান হেৰ? তোক মই কোনো কালে দেখা নাই, চিনিচো নাজানো। তই হে মিছা কথা কৈছ, মই মিছলীয়া নহওঁ।"

আলহী। "মই মিছলীয়া নহওঁ; যদি কোনোবা সেইজন আপুনি হে হবৰ সম্ভৱ।"

মই। "চুপ ৰও। আকৌ তই সেইষাৰ কথা মুখত উলিয়ালে মোৰ ঘৰপৰা তোক গতিয়াই উলিয়াই দিম।

তই আলহী হলি বুলি মোৰ ঘৰলৈ আহি মোক গালি পাৰি যাবলৈ তোক নিদিওঁ।"

আলহী। "মই আপোনাক গালি পাৰিবলৈ অহা নাই। আপুনি একেবাৰেই সোপাকে অস্বীকাৰ কৰি টুপুংকৰে বুৰ মাৰিছে দেখি হে সেইবোৰ কথা মোৰ মুখত ওলাইছিল। আপোনাৰ পেটৰ কথা সোপাকে মই জানো; মোৰ আগত আপুনি সৈ নকৰাটো আপোনাৰ পক্ষে সুবিধাৰ কাম হোৱা নাই।"

মই। "তই ইমান গপ-গপকৈ কথা কৈছ কি সাহেৰে?"

আলহী। "নিজৰ সাহহেৰে। গপ-গপ কি? মই যি জানো তাকে কৈছোঁ। সঁচা কথা কবলৈ ভয় কি?"

মোৰ আৰু অসহ্য হল। মই ঘপহকৰে উঠিলো। এহাতেৰে মই আলহীৰ টেটুটোত চেপামাৰি ধৰি, আনটো হাতেৰে, যিখন চকিত মই বহি আছিলোঁ সেইখন চকিৰ খুৰা এটাত ধৰি চকিখন তুলি লৈ আলহীৰ মূৰৰ ওপৰত দি তাৰে তাক হেচা মাৰি ধৰিলো। কিন্তু মই দেখি আচৰিত মানিলো, যে সি চিঞৰ-বাখৰ বা সেই অৱস্থাৰ পৰা মুকলি হবলৈ বিশেষ একো চেষ্টা নকৰি মাথোন গোঁ গোঁ শব্দ কৰিবলৈ ধৰিলে। সেই অদ্ভুত আলহীক সেইদৰে মই মোৰ আয়ত্তৰ ভিতৰলৈ আনি ডবিয়াই সুধিলো, "ক, তই কোন? কিয় তই আহি মোক এইদৰে অপমান কৰিছিলি? নকলে তোমাক মই নেৰোঁ, মাৰি পেলাম।"

আলহীয়ে চকিৰ চেপাৰ তলৰ পৰা লাহেকৈ উত্তৰ দিলে, "আপুনি মোক মাৰিব নোৱাৰে; যিমান মন যায় সিমান চেপিব হে পাৰিব। আপুনি মোক যিমান চেপিব সিমান মই চেপা খাই গৰু হৈ চেপেটা হৈ যাম, চেপিবলৈ এৰি দিলেই আকৌ ৰবৰ এঠাৰ নিচিনাকৈ আগৰদৰে হম। আপুনি মোক মাৰিবলৈ চেষ্টা কৰা বৃথা। মই আপোনাৰ সৈতে একেলগে হে মৰিম, আপোনাৰ মৃত্যুৰ এক মুহূৰ্ত্তৰ আগেয়েও নহয়। মই কোন যদি আপুনি জানিব খুজিছে, তেন্তে কওঁ শুনক,—মই আপোনাৰ মানস-পুত্ৰ। মোকে বোলে মন।"

লোভ

গছত উঠি চৰাইৰ বাহৰপৰা চৰাই-পোৱালি পৰা, আম কঠালৰ গছত উঠি আম কঠাল পৰা আদি কাৰ্য্যৰ লগতে বৰশী বাই মাছ ধৰাটোও একালত মোৰ উৎসাহৰ কাম আছিল। আমাৰ পুখুৰীটোৱে মোৰ মনত জীৱহিংসা প্ৰবৃত্তিৰ উদ্ৰেক কাৰ্য্যত যে নথৈ সহায়তা কৰিছিল এই কথা কোৱা বাহুল্য মাথোন। কাৰণ মাগুৰ, কাৱৈ, শল, কাদুলি, শিঙৰা, পুঠি আদি মাছক সি নিজৰ গৰ্ভত সাদৰেৰে এনেকৈ ঠাই দিছিল যে, সেইবোৰ দেখিলে মোৰ নিচিনা তামসিক প্ৰকৃতিৰ মানুহৰতো কথাই নাই, সাত্ত্বিক প্ৰকৃতিৰ মানুহৰ স্বভাৱো প্ৰলোভনৰ দোলেৰে টান নাখাই নাথাকিছিল।

এদিন মই আমাৰ পুখুৰীত বৰশী বাই থাকোঁতে এঘাহ পোনাৰে এটা শল মাছ দেখিলো। ৰঙচুৱা পোনাঘাহ একে ঠাইতে থুপখাই এনেকৈ পানীৰ ওপৰলৈ উঠিছে আৰু তললৈ নামিছে যে, ঠিক যেন একঠা ৰঙা সৰিয়হ কিম্বা এক প্ৰকাৰে দীঘলীয়া হৈ পানীত সেইদৰে উঠা নমা কৰি সাঁতুৰিব লাগিছে। হঠাৎ সিহঁতক দেখিলে কোনোৰ মনত খেলাব যেন এটা ফুলা পদুম ফুলৰ ভিতৰৰ চকাৰ চাৰিউফালৰ পাপৰিবোৰে চলিবৰ ক্ষমতা লভি সেইদৰে চলা-ফুৰা কৰিব লাগিছে। ক্ষন্তেকমান এক দৃষ্টিৰে চাই থাকি দেখিলো যে পোনাঘাহৰ তলতে সন্তানবৎসল মাক শল মাছটোৱে সতৰ্কভাৱে থাকি সিহঁতক চলাই লৈ ফুৰিছে আৰু পোনাবোৰে মাতৃস্নেহ-ৰসত আপ্লুত হৈ আনন্দত নাচি নাচি ওপৰৰপৰা তললৈ গৈ মাকৰ ওচৰ পাইছে আৰু চঞ্চল স্বভাৱৰ গুণে ততালিকে তলৰপৰা নাচি নাচি ওপৰলৈ উঠিছে। সেই স্বৰ্গীয় দৃশ্য দেৱতাৰহে উপভোগ্য, লুভীয়া মানুহৰ নহয়।

নিমিষতে মোৰ হিংসাকুৰীয়া লুভীয়া স্বভাৱ উত্তেজিত হৈ উঠিল; আৰু পিছ নুগুণি নিকৰুণ-ভাৱে, বৰশীৰ টোপেৰে গধুৰ বৰশীটো পোনাঘাহৰ মাজত পেলাই দিলো। নিমিষতে পোনাঘাহৰ মাকে মোৰ দৰেই পিছ নুগুণি লোভত, সম্ভৱতঃ খঙত, টোপেসৈতে সেই বৰশীতো গিলি পেলালে। মই চিপ মাৰি দিলো, আৰু তাৰ পিছতে সেই শল মাছটো অজলা আৰু আত্মৰক্ষাৰ নিমিত্তে অসমৰ্থ পোনাঘাহক অনাথ কৰি মোৰ বৰশীত লাগি বামত পৰিল। মাছটোৱে কষ্টত আৰু মৃত্যুকাল উপস্থিত ভাবি চটুফটাবলৈ ধৰিলে, আৰু মোৰ মনেও সেই-দিনৰ পৰিশ্ৰম আৰু চেষ্টা সফল হোৱা দেখি উত্তেজিত হৈ উলাহত নাচিবলৈ ধৰিলে। দীঘলীয়া কাম চমু কৰি থবৰ নিমিত্তে মই মাছটো ধৰি মাটিত ঠেকেচা মাৰি দিলো। তাৰ পিছত—তাৰ পিছত—ক্ষন্তেকীয়া নিষ্ঠুৰ উত্তেজনাৰ পিছত পানীত থকা অনাথ শিশু পোনাবিলাকলৈ মোৰ চকু গল। ভাল নালাগিল। পানীৰপৰা মোৰ চকু তুলি আনি মাছটোত দিলো। দেখিলো, মাছটোৱে মুখেৰে কাপ কাপ কৰিব লাগিছে। ঝিমিক-ঝিমিক মাত্ৰ তাৰ

ধাতু লবিব লাগিছে। এই দুই দৃশ্যই মোৰ অন্তৰৰ নিভৃত খোটালিৰ নিভৃত চুক এটাত থকা কিবা এটা সচেতন বস্তুত অলপ খোচা বিন্ধা কৰা যেন পালো। কিন্তু মই তালৈ ৰবকৈ মন নিদি উলাহক সাৰথি কৰি লৈ মাছটো ঘৰলৈ লৈ আহিলো। সংসাৰৰ অলেখ কামৰ চিন্তাৰ চকোৰাই অলপৰ পিছতে সেই মাছধৰা বিষয়টো সেই দিনালৈ ঢাকি পেলালে। কিন্তু গধূলি আয়ে যেতিয়া পুৰাৰ সেই শল মাছত মূলা দি আঞ্জা ৰান্ধি মোক খাবলৈ দিছিল, মোৰ অন্তৰৰ সেই ঠাইত বেজিৰ ফুটনি বুজনকৈয়ে অনুভৱ কৰিছিলো, গতিকে ৰুচিৰে সৈতে সেই আঞ্জা মই খাব নোৱাৰিলো।

ৰাতি শুবলৈ বুলি শোৱাপাটীত পৰিলত অনাহূত অসংলগ্ন নানাভাবে খেলিমেলি লগাই মোৰ মনটো অসুখীয়া কৰি পেলালে। তেনে অৱস্থাত মোৰ কেতিয়া টোপনি আহিল কব নোৱাঁৰো। টোপনিত এইটো সমাজিক দেখিলো:—মোৰ শোৱাপাটীৰ চাৰিউফালে অসংখ্য কেচুৱা লৰাই মোক বেঢ়ি কান্দিব লাগিছে। ইমানবোৰ কেচুৱা লৰা কৰপৰা কিয় আহি মোক বেঢ়ি ধৰি কান্দিছে মই বুজিব নোৱাৰি মাত লগালো "বোপাইহঁত! মোৰ চিকুণিহঁত! তহঁত কৰপৰা আহিছ? তহঁতৰ কি হৈছে? কিয় কান্দিছ মোক কচোন?" মোৰ প্ৰশ্ন শুনি সিহঁতে সিহঁতৰ কণ কণ মুখবোৰেৰে মাত লগাই উত্তৰ দিলে;—"আমাক তই এতিয়া চিনিকে নোপোৱা হলি। আমি কিয় কান্দিছো নজনাই হলি। নিষ্ঠুৰ! তই আমাৰ আইক কিয় বধ কৰিলি? তেওঁ তোৰ কি অপৰ কৰিছিল? তই আমাক মাউৰা কৰিলি কিয়? পপীয়া! লুভীয়া! তই আমাকো মাৰি পেলা! আমাকো মাৰি খাই পেলা! হায়! তই আমাক মাৰি দেখোন আমাৰ দুখীয়া আইক এৰি দিব পাৰিলিহেঁতেন। আমাকো তই আজি মাৰিব লাগিব, নহলে আমি তোক নেৰোঁ। তোৰ হাতত মৰিবলৈ বুলি ঠিক কৰিহে আমি আজি তোৰ শুবিলৈ আহিছোঁহক। আমাক এতিয়াই মাৰ, মাৰ, মাৰ, নামাৰিলে তোক আমি নেৰোঁ।"

হঠাৎ চাট্‌কৰে মোৰ টোপনি ভাগিল। মই থপ্‌কৰে উঠি শোৱাপাটীতে বহিলো। দুখ শোক আৰু অনুতাপত মোৰ হৃদয় দগধ হল। সেই অৱস্থাতে মই ভালেখিনি পৰ থাকি, পুৱেকণ দি আহিলত পটাবপৰা নামি গৈ, ঘৰৰ পানীপাছত আৰি থোৱা দাড়িৰে সৈতে বৰশীটো ভোখৰ-ভোখৰকৈ ভাঙি দলিয়াই পেলালো; আৰু ডেকিয়াই শপত খালো যে "মোৰ জীৱনকালত মই আৰু বৰশীত হাত নিদিওঁ।"

কাশীবাসী

সি আজি ভালেমান বছৰৰ আগৰ কথা। আৰু কালি পুৱা। পূব আকাশত ৰদ বিৰিঙাইছে। চৰাই-চিৰিকতিবোৰে কল্‌কলাই চেকুচেকাই চাৰিউকালে উৰি বিয়াদান দিছে। গঙ্গাৰ সোঁত ধীৰ গম্ভীৰভাৱে এনেকৈ বলিছে যে সোঁত বলিছে বুলি দূৰৰপৰা উমানকে ধৰিব নোৱাৰি। নৈৰ পানীৰ ওপৰত অলপ ধোৱাঁৰ নিচিনা ভাপ উঠিছে, দেখিলে মনত খেলায় যেন তাত প্ৰাতঃস্নান কৰিবলৈ গৈ জাৰত দুখ পোৱা লোকসকলৰ প্ৰতি অনুকম্পা প্ৰদৰ্শন কৰি প্ৰকৃতি দেৱীয়ে গঙ্গাৰ তলত উৱা-জাল দি পানীবোৰ কুহ-মীয়াকৈ তপতাই দিছে। স্নান কৰিবলৈ যোৱাসকলৰ কোনোৱে পানীত নামি মন্ত্ৰ মাতি ডোবোৱা মাৰিছে; কোনোৱে ডোবোৱা মাৰি খাৰলৈ উঠিছে; কোনোৱে ডোবোৱাৰ অন্তত পানীতে থিয় হৈ, ওলাই-অহা ন বেলিৰ ফালে মুখ কৰি সন্ধ্যা-আহ্নিক কৰিছে; কোনোৱে ঘাৰলৈ উঠি শিলৰ খট্‌খটিত বহি কোষা-অৰ্ঘা ফুল-তুলসী বেল-পাত লৈ শিৱপূজা কৰিছে; কোনোৱে তিতা কাপোৰ সলাই বস্তা থপা কলপতীয়া ৰবণৰ পাটৰ শুকান চুৰিয়া পিন্ধিছে; কোনোৱে বা গাৰ কাপোৰ খহাই খট্‌খটিৰ ওপৰত থৈ পানীত নামিবৰ উদ্যোগ কৰিছে। কাষতে পাৰত দুজন চাৰিজন সন্যাসী ফকিৰে বহি জুই জালি ভাং খপাত হুপিছে। পুহ মহীয়া কাশীৰ দশাশ্বমেধ ঘাটত এই দৃশ্য। মোৰ এজন অসমীয়া বন্ধুৰে সৈতে মনো গঙ্গাস্নান কৰিবৰ মনেৰে এদিন পুৱাই তালৈ গৈছিলো কিন্তু গাৰপৰা নোমৰ চোলা কাপোৰ শোলোকাই মোৰ উদং গাটোৰ কোমল ছালখন জাৰৰ চোকা দাঁতৰ আগলৈ সতকাই আগ বঢ়াই দিবলৈ সঙ্কোচ কৰি, দেখাক দেখি একাজুল দুৱাজুলকৈ সাহ গোটাবৰ মনেৰে আলম-বিলম কৰি বন্ধুৰে সৈতে সাত-পাঁচ উৰণীয়া কথা পাতিব লাগিছোঁ। এনেতে দেখিলো এৰীয়া কাপোৰৰ শাৰী পিন্ধা-আশী বছৰমান বয়সীয়া থপ্‌থপীয়া বুঢ়ী এজনীয়ে আমাৰ কাষ চাপি আহি আমাৰ মুখলৈ চাই সুধিছে—"বাবা তোমৰা কি অসমীয়া মানুহ?" মই উত্তৰ দিলো, "হা, আমৰা আসাম দেশেৰ লোক"।'

বুঢ়ী।—"কত বাড়ী?"

মই।—"ৰংপুৰ শিৱসাগৰে বাড়ী। আপনি কে? কেন জিজ্ঞেস কৰছেন বলুন দেখি? আপনাৰ বাড়ী কোথায়?"

বুঢ়ী।—"বাবা, আমাৰ বাড়ীও ৰংপুৰে। আমিও অসমীয়া মানুহ। হা বিশ্বনাথ! হায় মোৰ গোসাঁই! আজি কত কালৰ মূৰে আমাৰ দেশৰ মানুহ দেখিবলৈ পাইলু।" এই বুলি বুঢ়ীয়ে

ভালেমান কথা কৈ হা-হুতাশ কৰি আমাৰ ওচৰতে বহিল। দেখিলোঁ বুঢ়ীৰ চকু পানীৰে চলচলীয়া হৈছে। আমি দুয়ো ভালকৈ কথা কৈ বুঢ়ীক তেওঁৰ আত্তি-গুৰি সুধিলত বুঢ়ীয়ে অসমীয়া আৰু বঙলাৰে সান-মিহল ভাষাৰে নিজৰ যি কাহিনী বৰ্ণনা কৰিলে তাৰ সাৰ ভাগ চমুকৈ তলত দিলোঁ।—

“বোপাইঁত, তোমালোকক নো আৰু মোৰ আঁতি-গুৰিৰ কথা কি কম। সেইবোৰ দুখ-বেজাৰৰ কথা সুঁৰিলে এতিয়াও মোৰ হিয়া ভাগি যায়। মই আগেয়ে কি আছিলোঁ সেই কথা মনত পৰিলে সেইবোৰ আন এজনৰ কথা যেন লাগে।

“আমাৰ ঘৰ ৰংপুৰ চহৰত আছিল। মই ভবানী বৰুৱাৰ ঘৰৰ জীয়াৰী, দুলীয়া বৰুৱাৰ ঘৰলৈ পৰিছিলোঁ। মোৰ বোপাই ডাঙৰ মানুহ, আৰু স্বামীও ডাঙৰ মানুহ আছিল। মোৰ ধন-বিত্ত ঐশ্বৰ্য্য-বিভূতি সুখ-সম্পদৰ অন্ত নাছিল। ‘কাল-মানে মোৰ ইহজীৱন নষ্ট কৰিলে। অকল মোৰ নহয় বোপাইঁত, হেজাৰ হেজাৰ দুৰ্ভগীয়া অসমীয়া মানুহক সিহঁতে খালে। মানৰ সেই কালৰ সেই ভয়ানক উপদ্ৰৱৰ কথা সুঁৰিলে এতিয়াও ভয়ত অণ্ঠে-কণ্ঠে শুকায়। পলবীয়া চন্দ্ৰকান্ত ৰজাক মানে নানা কথা কৈ যোৰহাটলৈ মাতি আনি তাতে বন্দী কৰি ৰংপুৰত থলে। মানদেশৰ ৰজাই ঘৰ সেনাপতি মিঙিমাহা বান্দুলালৈ হুকুম দি পঠিয়ালে যে বান্দুলা অসমৰপৰা উভতি যাব লাগে। ৰজাৰ হুকুম পাই বান্দুলাই সৰহ ভাগ মান-সেনা লগত লৈ উভতি নিজৰ দেশলৈ যাবলৈ ওলাল। কিন্তু বোপাইহঁত, যাওঁতে পাষণ্ডহঁতে দেশৰপৰা ধন বস্তু যি পালে চুঁচি নিলেই, সেইবোৰৰ উপৰিও হাজাৰে হাজাৰে অসমীয়া মানুহ ধৰি লগত লৈ গুচি গল। সেই মানুহবোৰ কেনেকৈ নিছিল তোমালোকক কব লাগে নে? শুনিবা নে? শুনা কওঁ। সিহঁতে বুঢ়া মেঠা আৰু লৰা ছোৱালীবোৰ নিনি জিয়াতু দি মাৰি থৈ গৈছিল, ডেকাবোৰক সিহঁতৰ ভাৰী আৰু ডেকেৰীবোৰক তিৰুতা কৰি লৈ গৈছিল। গৰু ছাগলী সাঙুৰি নিয়াদি সেই মানুহবোৰ সাঙুৰি নিছিল মোৰ বোপাইহঁত। সিহঁতৰ মাৰ-ধৰ অত্যাচাৰ সহিব নোৱাৰি কত মানুহে যে বাটতে আপোন-ঘাতী হৈ আৰু এনেই মৰিল তাৰ লেখ-জোখ নাই। আমি ঘৰ কাছৰ হাতোৰা ফুটাই বেত-সূতেৰে বন্ধাদি দহোটা কুৰিটাকৈ একো একো জাক মানুহৰ হাতৰ তলুৱা ফুটাই সিহঁতে বান্ধি লৈ গৈছিল। ময়ো মানৰ হাতত বন্দী হৈ যোৱা মানুহ। তেতিয়া উঠি অহা ছোৱালী, মোৰ বয়স ১৫ বছৰ মাথোন। হঠাৎ মানে আমাক ঘৰ ঘেৰা দি ধৰিলে। মোৰ স্বামী কেনি পলাল মই নেদেখিলোঁ। মোক সিহঁতে বন্দী কৰি ললে। আমাৰ ধই-বস্তু যি আছিল গোপাকে সিহঁতে লুটি-পুটি ললে। উস্! সেই অত্যা-চাৰৰ কথা সুঁৰিলে বুকু ফাটি যায়। বোপাইহঁত, সেই অসুৰহঁতৰ দৌৰাত্ম্যৰ কথা আৰু তোমলোকক বহলকৈ কৈ কি কৰিম, মুঠতে কওঁ যে পাপীষ্ঠহঁতৰ হাতত মোৰ সকলো গল।”

দেখিলোঁ, বেজাৰত বুঢ়ীৰ মুখৰপৰা কথা ভালকৈ নোলোৱা হৈ ঠোকাঠুকি হৈ ওলাইছে। মই লাহেকৈ মাত লগালো,—“আপোনাৰ কষ্ট হৈছে। থাওক সেইবোৰ কথা আৰু কব নেলাগে।” মোৰ কথা শুনি বুঢ়ীয়ে থিতাতে নিজকে চম্ভালি লৈ আকৌ আৰম্ভ কৰিলে—“কষ্টতো হৈছেই; কিন্তু বুকুৰ ঘাবোৰৰ ওপৰত যদিও এতিয়া কাঠ বান্ধি আছে, তথাপি তাত আঙুলি দিলে আগৰ নিচিনাকৈয়ে টান পাওঁ; অৱশ্যে এতিয়া তাৰপৰা আৰু তেজ নোলায়।

“যাওক সইবোৰ কথা। আমি দহ হেজাৰমান মানুহক মানহঁতে চিংফৌহঁতৰে সৈতে গোটখাই পাটকাইৰ কাষ পোৱাইছিলগৈ। আমাৰ ভিতৰত ভালেমানক চিংফৌহঁতে সিহঁতৰ গোলাম কৰি নিজৰ দেশতে ৰাখিলে। ভালেমানক মানে নিজৰ দেশলৈ লৈ গুচি গল। এনেতে কুম্পানীৰ ফৌজে ইফালৰ মান আৰু চিংফৌহঁতক খেদি গল। মান চিংফৌৰে সৈতে ন-দিহিং নৈৰ কাষতে কুম্পানীৰ ফৌজৰ ৰণ লাগিল। সেই ৰণত মান আৰু চিং-ফৌহঁত কুম্পানীৰ হাতত হাৰিল, আৰু মানক কুম্পানীৰ ফৌজে একেবাৰেই অসমৰ সীমাৰপৰা উলিয়াই খেদিলে। মান গলতে চিংফৌবোৰ শান্ত হল। কুম্পানীৰ সেনাপতি নিউভাইয়ে (Captain Neufville) প্ৰায় ছয় সাত হাজাৰমান অসমীয়া মানুহক মানৰ হাতৰপৰা একৰুৱাই আমাৰ ঘৰৰ ফালে পঠিয়াই দিলে। সেই মানুহবোৰৰ ভিতৰৰ ময়ো এজনী।

“কিন্তু বোপাইহঁত, মোক চাহাবে সকৰুৱাই অনাতকৈ মই তাতে মৰি যোৱাহেঁতেন বা মানে লৈ যোৱাহেঁতেন হেজাৰ গুণে ভাল আছিল। কিয় কওঁ শুনা। মই হতভাগিনী উভতি আহি যেতিয়া আমাৰ ৰংপুৰৰ ঘৰ ওলালোহি, মোৰ স্বামী আৰু শহুৰ শাহুৱে মোক সামৰি লওক ছাৰি মোক ভ্ৰষ্টা বুলি পদূলিৰ মুখলৈকে ঢুকিব নিদিলে। মই দুই হাতে নিজৰ কপালখন খুন্দি কত কাকূতি মিনতি কৰি মোক আমাৰ চৌনৰ ভিতৰতে, নাগে যদি আঁতৰতে ঠাই এচমকা দি ৰাখিবলৈ তেওঁলোকক কলো, কিন্তু তেওঁলোকৰ শিলেৰে বন্ধোৱা হিয়াত মোৰ কান্দোন-কাটোন নোসোমাল। মোৰ কান্দোন দেখি স্বামীৰ চকুৰ পানী যে মই ওলোৱা নেদেখি-ছিলোঁ এনে নহয়, কিন্তু তেওঁ ৰজালৈয়ো জাতৰ ভয়ত

ঘৰেঘৰোৱাহ আৰু আন ওচৰ-চুবুৰীয়াৰ বিপক্ষে থিয় হৈ মনুষ্যত্ব প্ৰকাশ কৰিব নোৱাৰিলে। মই নিৰুপায় হৈ মোৰে নিচিনা দুৰ্কপলীয়া এজনীৰে সৈতে লগ লাগি লাহে লাহে খোজ কাঢ়ি খুজি-মাগি খাই আহি, ছমাহমানৰ মূৰত কাশী পাই অনাথৰ নাথ বিশ্বনাথৰ চৰণত শৰণ ললোঁ। তেতিয়াৰপৰা মই এই কাশীতে বাস কৰি আছোঁ, মোৰ দুখৰ দীঘলীয়া জীৱনৰ ওৰ এতিয়াও পৰা নাই। কিন্তু পৰিব অলপতে। আজি তোমালোকৰ মুখৰ অসমীয়া মাত শুনি মই যে কি অমিয়া-মধু পিবলৈ পালোঁ; কত পুৰণি দুখ বেজাৰৰ কথা মোৰ মনত পৰিল তাক কি কম। হে বাবা বিশ্বেশ্বৰ! হে বাবা ভোলানাথ! তোমাৰ অপাৰ মহিমা! তুমি এই দুখুনীক তোমাৰ চৰণত ঠাই দিছাঁ, পৰকালতো যেন দুখুনীক নেৰা, তোমাৰ অভয় চৰণত দুখুনীৰ এই প্ৰাৰ্থনা।"

বুঢ়ীৰ জীৱনৰ শোকপূৰ্ণ ইতিহাসে মোৰ মনত এনে এটা বেজাৰৰ ছাঁ পেলালে যে সেই পুৱা আৰু মোৰ গঙ্গা-স্নানৰ ক্ষীণোত্তা অভিলাষ ক্ষীণাই অদৃশ্য হল। আমাৰ ওচৰৰপৰা বুঢ়ী গুচি যোৱাৰ পিছত মই স্নান নকৰো বুলি মোৰ নগৰীয়াজনক কলত, তেওঁ যেন ৰক্ষা পৰি, মোৰ মতত মত দিলে; আৰু দুয়ো নিজৰ বহালৈ উভতি আহিলোঁ।

ভোম্‌কেবোলা

স্বষ্টিধৰ চব্‌ডিপুটি হাকিম। তেওঁৰ ভাৰ্য্যাৰ নাম লাহৰী দেৱী। পুতেকৰ নাম সন্তোষকুমাৰ। গধূলি লাহৰীয়ে সন্তোষক কোলাত লৈ বহি আছে; গৰু-গাই ঘৰ চাপিল, কিন্তু হাকিম ডাঙৰীয়া নাচাপিল। গধূলিটো পকি সৰি গেলিল, গহীন ৰাতিয়ে মন ধৰিলে, তথাপি ডাঙৰীয়া নুভাতিল। হাকিমনীৰ মনত নানা ভাৱ, নানা অশান্তি। 'আজি আহক-চোন, মই যদি অমুকী হওঁ তালৈকে এনেকা দিম' ইত্যাদি, খঙৰ ঘৰত ওপজা সঙ্কল্প, অভিমানৰ কোলাত ডাঙৰ হোৱা প্ৰতিজ্ঞা, হাকিমনীৰ মনত কত ওলাইছে কত মাৰ গৈছে তাৰ লেখজোখ নাই। ঠিক ৯ বাজি ৩ মিনিট যোৱাত শ্ৰীমতী লাহৰী দেৱীয়ে তেওঁলোকৰ পদূলিৰ মূৰত গিৰিয়েকৰ সঁহাৰি পালে। লাহৰীয়ে বুজিলে স্বষ্টিধৰৰ আত প্ৰবেশ উপস্থিত। তেওঁ ল'ৰাটো তালৈকে কোলাত সাৱৰি লৈ, গালখন ওকোণাই আৰু কপালৰ গাঁথিটো লৈ মোৰ মূৰ্ত্তি ধৰিলে।

স্বষ্টিধৰে ঘৰ সোমায়েই, ঘৈণীয়েকৰ মুখৰ ভাৱে চাওঁতেই বুজিব পাৰিলে, যে হাকিমনীৰ আদালতৰ পৰা তেওঁৰ "কৈফিয়ৎ তলপ" হৈছে।

স্বষ্টিধৰে সবিনয় নিবেদন কৰিলে—"মোৰ আজি অলপ বেলি হ'ল, মই বুজিছোঁ। সেই ভোমকে-বোলা পণ্ডিতৰ ঘৰলৈ গৈছিলোঁ, তাতে বহি থাকোঁতে হে পলম হ'ল।"

লাহৰী।—(আচৰিত হৈ) "কাৰ ঘৰলৈ?"

স্বষ্টিধৰ।—"ভোম্‌কেবোলা পণ্ডিতৰ ঘৰলৈ।"

লাহৰী।—"কোন ভোম্‌কেবোলা হেঁ? এইটো নো আকৌ কোন ভোম্‌কেবোলা ওলালহি ইয়াত?"

সন্তোষকুমাৰে বাপেকক দেখি মাকৰ কোলাৰপৰা মুখখন উলিয়াইছিল; কিন্তু এনেতে হঠাৎ সি এনেকৈ চিঞৰ মাৰি দিলে যে, মাক-বাপেক দুয়ো, লৰাটোৰ কি হল বুলি ব্যস্ত হৈ পৰিল। চিঞৰটোৰ পিছত সন্তোষে উচুপি উচুপি কান্দিবলৈ ধৰিলে। বাপেক মাক দুয়ো বিব্ৰত, কোনোমতেই সন্তোষ নিচুক নহয়।

কিছুমান বেলিৰ মূৰত সন্তোষকুমাৰ নিচুক হল। তাৰ কি হৈছিল, কিয় সি সেইদৰে ভয় খাই কান্দিছিল তাৰ কাৰণ স্বষ্টিধৰে সুধি সুধি উলিয়াবলৈ চেষ্টা কৰিবলৈ ধৰিলে।

"কচোন মইনা তই কিয় এইদৰে কান্দিছিলি?" কিছুমান বেলিৰ মূৰত সন্তোষে কলে "ভোম্‌কেলোলা।" বাপেকে সুধিলে "ভোমকেবোলা? কি 'হল?" সন্তোষে কলে "ভোম্‌কেলোলা আমাল ঘলৈ আহিথে নে দেতা? কত আথে? আমাল ঘল আমজোপাত উঠি আথে নে দেতা? মোক ধলি নিব নে?"

এই কথা শুনি সন্তোষৰ ভয়ৰ কাৰণটো বুজিব পাৰি মাক-বাপেক দুয়ো ইমানকৈ চেক্‌চেক্ কৰে হাঁহিবলৈ ধৰিলে যেন তেওঁলোকৰ ঘৰটোৱে মাত লগালে "পৰোঁ!" "পৰোঁ!" মাক-বাপেকৰ এই হাঁহিৰ বোল শুনি সন্তোষো নিতাল। স্বষ্টিধৰে মাত লগালে "গুচ্, তোৰ নিচিনা আকৰা লৰা মই কতো দেখা নাই। ভোম্‌কেবোলা আকৌ কি আম-গছত উঠি থাকিব হেৰ? ভোম্‌কেবোলা ভূত নহয়, ভোম্‌কেবোলা মানুহ; আমাৰ স্কুলৰ পণ্ডিত; ইয়ালৈ ন কৈ আহিছে।"

ইয়াৰ পিছতো সন্তোষৰ ভয় তালৈকে নুগুচা দেখি তেওঁলোকে ভোম্‌কেবোলাৰ কথা স্থগিত ৰাখি আন কথা পাতিবলৈ ধৰিলে।

কিছুমান বেলিৰ মূৰত সন্তোষৰ টোপনি আহিল। স্বষ্টিধৰৰ ভাৰ্য্যাই তেতিয়া লাহেকৈ স্বামীক সুধিলে—"বাৰু সঁচাকৈয়ে কোৱাঁচোন এইটো নো কৰপৰা আমাৰ দেশত ভোম্‌কেবোলা ওলালহি? আগেয়ে সেইজন আদি এই কেবোলাৰ নাম শুনা নাই?

আমি তিতা-কেৰোলা ভাত-কেৰোলাকে আদি কৰি অনেক কেৰোলাৰ নাম শুনিছোঁ, দেখিছোঁ, খাইছোঁ, কিন্তু ভোম্‌কেৰোলা দেখা নাই, তাৰ নাম শুনা নাই দেখোন এক। ? এইটো কেৰোলা নো ইমান দিন কত আছিল ? এইটো কিবা বিলাতী কেৰোলা নেকি ?” বৈণীয়েকৰ কথা শুনি স্মৃষ্টিধৰে হাঁহি উত্তৰ দিলে— “তুমিও দেখোন কিবা আকৰী হৈ আছিলাহেঁ। ভোম্‌কেৰোলা জানো কেৰোলা ? ভোম্‌কেৰোলা কেৰোলা নহয়, এজন মানুহৰ নাম হে। অৱশ্যে গুপুত নাম। সেই মানুহজন হৈছে আমাৰ ইয়াৰ স্কুলৰ পণ্ডিত। অৱশ্যে তেওঁৰ নাম সকলোৱে জানে সীতানাথ শৰ্মা বিদ্যাৰত্ন বুলি। আজি মই মজলদৈৰ মানুহ এজনৰ মুখতহে এই পণ্ডিতৰ আতিগুৰি শুনিবলৈ পাই, তেওঁৰ পুৰণি ভোম্‌কেৰোলা নামেৰে সৈতে বৃত্তান্তটো জানিলো। জানি আজি গধূলি পণ্ডিতক এবাৰ চাই আহোঁগৈ বুলি তেওঁৰ ঘৰলৈ গৈছিলো ; তাতে কথা পাতি বহি থাকোঁতেহে মোৰ অহাত পলম হল।”

বৈণীয়েক।—“কিনো বিতান্ত শুনিলা কোৱাঁ-চোন আমিও শুনো ?”

স্মৃষ্টিধৰ।—“বৰ আশ্চৰ্য্য কথা। যদি সঁচা হয়, তেন্তে এই ভোম্‌কেৰোলা বৰ ভয়ানক কেৰোলা, আমি চিনি-জানি পোৱা কোনো কেৰোলাই এই কেৰোলাৰ ওচৰ চাপিব নোৱাৰে। শুনা কওঁ— সৰ্ব্বেশ্বৰ ভট্টাচাৰ্য্য বিদ্যাৰত্ন মজলদৈৰ মাতঃবৰ মানুহ। তেওঁ মজলদৈত এজন বৰ নাম-জলা পণ্ডিত আছিল। এদিন তেওঁ দুপৰীয়া খাই-বৈ চবাঘৰতে বহি এখন পুথি চাই আছে, এনেতে কোঁট লগুণ পিন্ধা শুৱনি ডেকা লৰা এটি তেওঁৰ আগত উপস্থিত হলহি। বিদ্যাৰত্নই তেওঁক কোন বুলি শুধিলত ডেকা লৰাটিয়ে উত্তৰ দিলে,—‘মই ব্ৰাহ্মণৰ লৰা ; মোৰ ঘৰ উজনিৰ গড়্গাঁওও চহৰত। মোৰ নাম বেদনাথ। মই পিতৃ-মাতৃহীন অনাথ বালক ; মোৰ কেও-কিছু নাই। সৰুৰেপৰা মোৰ সংস্কৃত বিদ্যা শিকিবৰ নিমিত্তে বৰ আগ্ৰহ। আপোনাৰ নাম আৰু যশস্যা শুনি মোৰ আশা পূৰ্ণ হব বুলি ভাবি আপোনাৰ ওচৰলৈ আহিছোঁ। অনাথ ব্ৰাহ্মণ সন্তানক দয়া কৰিলে কৰিব পাৰে। মোৰ কি আছে কি দিম। ঈশ্বৰে আপোনাৰ ভাল কৰিব ইয়াকে কওঁ।’

এই কথা শুনি আৰু ডেকালৰাটিৰ সুন্দৰ মুখশ্ৰী দেখি, দয়ালু বিদ্যাৰত্নৰ দয়া উপজিল। তেওঁ ডেকাক আশ্বাস কৰি নিজৰ ঘৰতে ৰাখি সংস্কৃত শাস্ত্ৰ পঢ়াবলৈ ধৰিলে। চোকাবুধীয়া ডেকাই অলপ দিনৰ ভিতৰতে নিজৰ কৃতিত্ব দেখুৱাই বিদ্যাৰত্ন মহাশয়ৰ হৃদয় অধিকাৰ কৰি পেলালে ; আৰু উদাৰ বিদ্যাৰত্নই ডেকাক নিজৰ পো যেনেকৈ যত্ন কৰি সংস্কৃত শাস্ত্ৰ পঢ়াবলৈ ধৰিলে।

বিদ্যাৰত্ন মহাশয় অপুত্ৰক আছিল। দুটা জীয়েক মাথোন তেওঁৰ সৰ্ব্বস্ব। ডাঙ্গৰীয়া দুইজনী জীয়েকক বিয়া দিবৰ সময় হৈছিলহি। তেওঁ অনেক ভাবি চিন্তি থিৰ কৰি সেই ডেকালৈকে দুইজনী জীয়েকক বিয়া দি ডেকাক ঘৰজোঁৱাই কৰি ৰাখিলে। ডেকাও পৰম আপ্যায়িত হৈ বিদ্যাৰত্নৰ পুতেকৰ ঠাই অধিকাৰ কৰি ধন-সম্পত্তিৰ মালিক হল।

জীয়েক দুজনীক বিয়া দিয়াৰ এবছৰৰ পিছত ঈশ্বৰৰ ইচ্ছাত বিদ্যাৰত্নৰ মৃত্যু হল। বিদ্যাৰত্নৰ পিছৰপৰাই, জোঁৱায়েকৰ লুকাই থকা উগ্ৰ স্বভাৱ লাহে লাহে ফুটি ওলাবলৈ ধৰিলে। তেওঁ শহুৰেকৰ বিষয় সম্পত্তিৰ আৰু কন্যা দুটাৰ অধিকাৰী হৈ জগতক তৃণৰ নিচিনা দেখিবলৈ ধৰিলে। বিনাদোষতে বা অলপ দোষতে তেওঁ দিনে বৈণীয়েকহঁতক কিলায়। লাহে লাহে তেওঁৰ এই স্বভাৱ ইমান বদ্ধমূল হলগৈ যে বৈণীয়েকহঁতক কিলোৱাটো তেওঁৰ নিত্য-নৈমিত্তিক কাৰ্য্যৰ ভিতৰত পৰিলগৈ।

বিদ্যাৰত্নৰ বৰজনী জীয়েকৰ নাম মেদিনী আৰু সৰুজনীৰ নাম কাদম্বৰী আছিল। মেদিনীৰ নামটো যেনে স্বভাৱটোও তেনে আছিল। মেদিনীয়ে গিৰি-য়েকৰ মাৰ কিল অত্যাচাৰ সকলো দিনে ধৈৰ্য্য ধৰি সহিছিল। কিন্তু কাদম্বৰীৰ স্বভাৱ তেনে নাছিল। কাদম্বৰীৰ স্বভাৱ তাৰ সম্পূৰ্ণ বিপৰীত। কাদম্বৰীয়ে মাৰ খাই গালিৰে শুতাইছিল ; আৰু তেনে কৰি গিৰিয়েকৰ হাতত আৰু সৰহকৈ মাৰ কিল খাইছিল কিন্তু কাদম্বৰী নিষ্কাম ; তেওঁ ফলাফলৰ অপেক্ষা নাৰাখিছিল।

দুয়ো বায়েক ভনীয়েকৰ মনত বৰ বেজাৰ। দুইবো সদায় এইদৰে দুখত কাল যাপনে ধৰিলে।

দৈৱক্ৰমে এদিন এটা ঘটনা ঘটিল, যাৰ ফল নাভূত-নাশ্ৰুতৰূপে দেখা দিলে। এদিন দুপৰীয়া খুব মাৰ কিল খাই কাদম্বৰীয়ে কাঁহী বাটি এপাল লৈ নৈৰ ঘাটত পানী ভুৰলিতে থৈ, বহি চকুৰ-লো টুকি আছে, এনেতে কৰবাৰপৰা সেই খিনিতে নাও এখন লাগিলহি। নাৱৰ ভিতৰৰপৰা এজন মানুহে মাত লগালে—‘হেৰা আইটী, তুমি কিয় কান্দিছা ? তোমাৰ কি হৈছে ?’ সুবৰ্ণকুটীয়া তেলীয়াৰ নাও যেন নাওখন যে সেইখিনিতে আহি লাগিছিল সেইটো কাদম্বৰীয়ে তেতিয়ালৈকে লক্ষ্যকে কৰা নাছিল। মাত শুনি হঠাৎ কাদম্বৰী উচাপ খাই উঠিল। নাৱৰ ভিতৰৰপৰা ওলাই আহি আদহীয়া বয়সৰ ভাল মানুহ এজনে টিঙৰ চমনত থিয় হৈ আকৌ মাত লগালে

'আইটী, তুমি ভয় নাখাবা, কোৱঁৰচোন এইদৰে ভৰ দুপৰীয়া অকলে নৈৰ ঘাটত পানীৰ জুৰলিত বহি কিয় কান্দিছা? চোৱাঁচোন আইটী, মই বুঢ়া মানুহ, তুমি মোৰ জীৰ নিচিনা। তোমাৰ মুখখন দেখি সচাঁকৈয়ে মোৰ জী প্ৰতিমালৈ মনত পৰিছে। কোৱঁা মোৰ আইদেও, তোমাৰ কিহৰ বেজাৰ?'

মানুহজনে মিঠা মিঠাকৈ এনেকৈ কাদম্বৰীক কথা সুধিবলৈ ধৰিলে যে ক্ষন্তেকতে কাদম্বৰীৰ বিশ্বাস সেই মানুহ জনৰ ওপৰত সোপাই সোমাল। কাদম্বৰীয়ে তাইৰ সকলো দুখৰ কথা তেওঁৰ আগত ভাঙি কলে। কাদম্বৰীৰ কথাৰ ওৰ পৰিলত, যেন চাটুকৰে কিবা এটা কথা মানুহজনৰ মনত পৰিল। তেওঁ সুধিলে, 'তোমাৰ গিৰিয়েৰা দেখিবলৈ অলপ শাওঁৰবৰণীয়া নহয় নে? আৰু তেওঁৰ মুখত অলপ গুটি-সাঁচ আছে নহয় নে?' কপালত এটা ঘোৰাৰ টাবৰ নিচিনা সাঁচ আছে নে? আগদাঁত এটা অলপ ভগা নহয় নে?' ইত্যাদি প্ৰশ্নৰ উত্তৰত "হয়" এই উত্তৰ তেওঁ কাদম্বৰীৰ পৰা পালে। তেওঁ কলে— 'আইটী, তোমাক মোৰ জী বুলিছোঁ। তুমি আৰু নাকান্দিবা, বেজাৰ নকৰিবা। মই এটা মন্ত্ৰ আজি তোমাক শিকাই দিওঁ, তোমাৰ গিৰিয়েৰাই তোমাক মাৰিবলৈ আহিলে তুমি সেই মন্ত্ৰটো মাতি দিবা দেই। দেখিবা তোমাৰ গিৰিয়েৰা এই আজিৰপৰা আৰু তোমাক নমৰা হব।' কাদম্বৰীয়ে মানুহজনৰ কথাত, হাততে স্বৰ্গ চুকি পোৱাদি পালে। 'মোক মন্ত্ৰটো শিকাই দিয়কচোন মোৰ দেউতা,' এই বুলি কাবৌ-কোকালি কৰি কাদম্বৰীয়ে মানুহজনক কলত, তেওঁ কলে 'শুনা, শিকাই দিওঁ। আজি যেতিয়া তেওঁ তোমাক মাৰিবলৈ আহিব, তেতিয়া তুমি তেওঁৰ আগত মাতিবা—

'ভোম্‌কেবোলা তোৰ নাওঁ। বটাকুছিত তোৰ গাঁও।
যদি মাৰ, ভেদ ভোহাৰি পেলাওঁ।'

মন্ত্ৰ ফাকি ভালকৈ মনত ৰাখি লৈ কাদম্বৰী ঘৰলৈ আহিল। ঘৰ পালত, গিৰিয়েকে 'তই নৈৰ ঘাটত ইমান পৰ কি কৰিছিলি' বুলি, উত্তৰলৈ বাট নেচাই ঘৈণীয়েকক মাৰিবলৈ ডোখৰা-খৰি এডাল তুলি খেদা দিলে। এই মাহেন্দ্ৰ যোগতে কাদম্বৰীয়ে মন্ত্ৰ মাতিলে :—

'ভোম্‌কেবোলা তোৰ নাওঁ। বটাকুছিত তোৰ গাওঁ
যদি মাৰ, ভেদ ভোহাৰি পেলাওঁ।'

মন্ত্ৰ ফাকিৰ কি মহিমা! মতা মাত্ৰকতে গিৰিয়েকৰ মুখখন কেহেৰাজ-বটা যেন হল, আৰু হাতৰপৰা ডোখৰা-খৰিডাল সৰি বাটত পৰিল। সি অলপমান তবধ লাগি থিৰ হৈ থাকি তাৰপৰা ঘুৰমুৰ কৰে গুচি গল। ঘৈণীয়েকেও মন্ত্ৰ ফাকিৰ গুণ দেখি ইমান আচৰিত মানিলে যে তাইৰ মনত খু-খুৱাবলৈ ধৰিলে ইয়াৰ মানে কি? তাই লৰ মাৰি বায়েকৰ ওচৰ পাই বায়েকক এই আচৰিত মন্ত্ৰৰ খবৰ দিলে। বায়েক অবাক।

সেইদিনা ওৰেদিনটো গিৰিয়েক শান্ত আৰু নিমাত, মাটিত সাৰ আছে যদিও তাৰ গাত সাৰ নাই। নেগুৰ-কটা বাঘ তাৰ ধংৰাগ গুচি সি সেইদিনা ভেৰাছাগলীৰ পোৱালীটি যেন হল। বাইদেৱেকৰ বুধিমতে, সেইদিনা ৰাতি কাদম্বৰীয়ে আন দিনতকৈও ৰৰকৈ যতন কৰি গিৰিয়েকক খুৱাই-বুৱাই সেৱা শুশ্ৰূষা কৰিলে, আৰু যেতিয়া গিৰিয়েক শুবলৈ গল, তেতিয়া গিৰিয়েকক অনেক ভক্তি ভাৱ দেখুৱাই, লাহে লাহে সুধিলে, তেওঁৰ তেনে পৰিবৰ্ত্তন হোৱাৰ কাৰণ কি? গিৰিয়েকে অনেক ভাবিচিন্তি মাত লগালে—'তই সোপাকে কেনেকৈ জানিছ, আৰু মোক সুধিছ কেলৈ?'

কাদম্বৰী।—'কোৱাচোন কোঁৱা, ভালকৈ ভাঙি-ছিঙিয়েই কোৱঁা, তোমাৰ বাহিৰে নো মোৰ এই পৃথিৱীত কোন আছে? মোক কলেনো কি হানি আছে?' গিৰিয়েকে উত্তৰ দিলে—'মোৰ মুখৰ পৰা শুনিব খুজিছ শুন, কওঁ। কিন্তু মানুহৰ তো কথাই নাই, কোনো চৰাই-চিৰিকতি পহু-পতঙ্গকো এই কথা তই নকবি। কলে, তইঁতো গলি, মইয়ো গলো, নিশ্চয় জানিবি :—মোৰ ঘৰ উজনিৰ বঁটা-কুছি নামেৰে গাঁও এখনত। সৰুতে মোৰ আই-বোপাই ঢুকাল। আমাৰ ঘৰৰ ওচৰতে বৰ পণ্ডিত বামুণ এঘৰ আছিল। তেওঁৰ ঘৰলৈ মই সদায় অহা যোৱা কৰি আছিলো। বাপুদেৱে মোক বৰ মৰম কৰিছিল। মোৰ আই-বোপাই মৰি মই নিঠৰুৱা হলত, বাপুদেৱে মোক তেওঁলোকৰ গোহালি ঘৰৰ আগছালিতে থাকিবলৈ ঠাই দি প্ৰতিপাল কৰিবলৈ ধৰিলে আৰু ময়ো তেওঁলোকৰ লাচনি-পাচনি খন-খাৰী কৰিবলৈ ধৰিলো। পণ্ডিত বাপুদেৱে সদায় সংস্কৃত পুথি-পাঁজি পঢ়ি শ্লোক মাতি থাকে, আৰু সেইবোৰ শুনি শুনি মোৰও মনত বৈ যাবলৈ ধৰিলে। এদিন মই সংস্কৃত শ্লোক গোটাচেৰেক, বাপুদেৱে মতাদি সুৰ ধৰি সুন্দৰকৈ মতা তেওঁ শুনি আচৰিত হৈ মোক ওচৰলৈ মাতি আনি সুধিলে, মই সেইবোৰ কেনেকৈ শিকিলো। মই কলো, 'আপুনি দিনৌ গা ধুই আহোঁতে আৰু পূজা সেৱা কৰোঁতে মতা শ্লোকবোৰ মই শুনি শুনি শিকিলো।' সেইদিনাৰ পৰা তেওঁ কি ভাবি কব নোৱাৰো আঁতৰপৰা থিৰ হৈ, মোক দিনৌ সংস্কৃত লেখা-পঢ়া শিকাবলৈ ধৰিলে। মোৰ স্মৰণশক্তি আৰু বুদ্ধিটো ইমান চোকা আছিল যে এবাৰ কোনো এটা শ্লোক শুনিলে মোৰ মনত থাকে। অচিৰতে মই এটা সংস্কৃত শাস্ত্ৰ জনা পণ্ডিতৰ নিচিনা

হৈ পৰিলোঁ। মোৰ বুদ্ধি আৰু উন্নতি দেখি, পণ্ডিত বাপুদেৱে আনন্দতে মোক দিনো পঢ়াবলৈ ধৰিলে।

'কিছুকালৰ মূৰত পণ্ডিত বাপুদেৱৰ মৃত্যু হল। মোৰ তেতিয়া ১৮ বছৰ বয়স। মোৰ জাতীয় বিদ্যাৰ বিষয়ে একো নিশিকি মই বিজাতীয় বিদ্যাত পাৰ্গত হোৱা বাবে, মোৰ মক্তিলৰ শেষ নোহোৱা হল। মই অন্ততঃ মোৰ গাঁও-ভূঁই পৰিত্যাগ কৰাকে থিৰ কৰি, লাহে লাহে এইখিনি পালোহি। তাৰ পিছৰ ডোখৰ তই জানই।'

এনেতে কাদম্বৰীয়ে লাহেকৈ মাত লগালে, 'কিয়, কিহৰ বাবে নো মক্তিল হ'ল? তুমি নো কি অজাতবীয়া বিদ্যা শিকিলা?'

এই প্ৰশ্ন শুনি, খন্তেক মনে মনে থাকি গিৰিয়েকে মাত লগালে, 'তই বুজিব নোৱাৰিলি? নিশ্চয় কিজানি বুজিও মোৰ মুখৰ পৰা সেইধাৰ উলিয়াব খুজিছ। শুন তেন্তে,—মই নদীয়ালৰ লৰা বামুণ নহওঁ।'

কথাষাৰ কাদম্বৰীৰ মূৰত বজ্ৰ পৰাদি পৰিল। 'কি তুমি বামুণ নোহোৱা? নদীয়াল? সঁচানে?' গিৰিয়েকে নিহিকৈ উত্তৰ দিলে 'সঁচা।' নৈষ্ঠিক ব্ৰাহ্মণ পণ্ডিত বিদ্যাৰত্নৰ জীয়েক সেই দিনেই কাঁহ-পৰি জিণ গল। তাই আৰু একো নামাতি মনে মনে থাকিল। ৰাতি এৰণ্টা মানৰ মূৰত গিৰিয়েকৰ টোপনি আহিলত কাদম্বৰীয়ে লাহেকৈ চাকিটো হাতত লৈ বায়েক শোৱা খোটালিলৈ গল;-দেখিলে বায়েক টোপনিত বিভোৰ। কাদম্বৰীয়ে ভাবিলে, তাইৰ আৰু তাইৰ বায়েকৰ জীৱন কলুষিত হল, আৰু ইহজন্মৰ নিমিত্তে সেই জীৱন ব্যৰ্থ। মহাপাপেৰে কলঙ্কিত অসাৰ্থক দেহাৰ মহাপ্ৰায়শ্চিত্ত আৱশ্যক, নতুবা সিহঁতৰ উদ্ধাৰ নাই; আৰু সেই পাপকলঙ্কিত জীৱনৰ ভাৰ আৰু সিহঁতৰ বোৱা উচিত নহয়। ইয়াকে ভাবি তাই ভিতৰৰপৰা দুৱাৰত ডালকৈ দাং দি, সিহঁত শোৱা ঘৰটোত জুই লগাই দিলে। নিমিষতে জুই আকাশ লঙ্ঘি ধমধমাই উঠিল। থপ্ থপ্ কৰে জুই গিৰিয়েকৰ গাত পৰিলত সি হঠাৎ টোপনিৰ পৰা থপ্ জপ্‌কৈ উঠি, গোৰ মাৰি দুৱাৰখন ভাঙি বাহিৰলৈ ওলাই আহিল। কপালত আৰু পিঠিত জুই পৰি পুৰি যদিও চৌ কুটিছিল, তথাপি সি সেই যাত্ৰালৈ ৰক্ষা পৰিল। কিন্তু মেদিনী আৰু কাদম্বৰীৰ তেজেঁ নঘটিল। সিহঁত দুয়ো ঘৰৰ ভিতৰতে পুৰি ছাই হল। এই খিনিতে কোৱা উচিত যে সেই ৰাতিয়েই জুই লগোৱাৰ আগেয়েই, কাদম্বৰীয়ে এই গোটেইটো ঘটনাৰ আদি-অন্ত ভৰি এখন কাকতত লেখি সেইখন ওচৰ-চুবুৰীয়া পেহীয়েক এজনীৰ ঘৰৰ বেৰৰ জলঙাইদি সৰকাই পেলাই থৈ আহিছিল। পিছ দিনা সেইখন পঢ়ি হে সকলোৱে সেই ভয়ানক দুৰ্ঘটনাৰ ওৰ পালে।

"ইয়াৰ পিচত ভোম্‌কেবোলা অন্তৰ্দ্ধান হল। কোনেও কব নোৱাৰিলে তেওঁ কলৈ গল। গলা-গপা শুনা গল যে তেওঁ বঙ্গ দেশৰ নানা ঠাইত ঘূৰি ঘূৰি শেহত নবদ্বীপ পাই তাত আকৌ বামুণৰ লৰা বুলি ফাকি দি কোনোবা অধ্যাপকৰ টোলত সংস্কৃত পঢ়িবলৈ ধৰিলে। এতিয়া হেনো সেই ভোম্‌কেবোলাই আমাৰ ইয়াৰ ইস্কুলৰ পণ্ডিত হৈ আহিছে।"

ঘৈণীয়েক।—"অথচ তুমি এনেটো মানুহৰ ঘৰলৈকে গৈছিলা।"

গিৰিয়েক।—"মোৰ বিশেষকৈ যোৱাৰ এটা কাৰণ আছিল,—তাৰ কপালত জুয়ে পোৰাৰ সাঁচ আছে নে নাই সেইটো চাবলৈ। সাঁচটো দেখিলেই ঘটনাটো যে মিছা নহয় সেইটো কিছুদূৰ জানিব পাৰিম বুলি।"

ঘৈণীয়েক।—"সাঁচটো দেখিলা নে?"

গিৰিয়েক।—"দেখিলোঁ। আচৰিত কথা। সঁচা মিছা ঈশ্বৰে জানে।"

ঘৈণীয়েক।—"ঈশ্বৰে জানক বা নাজানক, আজিৰপৰা কিন্তু তুমি তাৰ ঘৰলৈ যাব নালাগে।"

ভোকেন্দ্ৰ বৰুৱা

গোস্বাই শুৱাল।—"ভোকোন্দাইৰ মাক ঔ, ভোকোন্দাইৰ মাক! বোলো কলৈ গল ঔ এইজনী! শুনিছ নে ঐ শুনিছ! বাঘেখাঁতীক ৰিচাৰিলেও পাবলৈ নাই। বোলো শুনিছে নে!"

ঘৈণীয়েক জেতুকীয়ে লাওৰ হেদালিৰ তলত সোমাই লাও পাৰিবলৈ বিচাৰিছিল; গিৰিয়েকৰ মাত শুনি হেদালিৰ তলৰপৰা ওলাই আহি উত্তৰ দিলে, "কি হল নো? চিঞৰ বাখৰখন বা লগাইছে কেলৈ? মোক নেদেখি কিবা এৰঁা চৰিল নে কি?"

গোস্বাই।—"এৰঁা চৰা নাই; শুনহি। তোৰ কলিকতীয়া পুতেৰে এইখন কলিকতাৰপৰা কি লেখি টিকচ্ মাৰি ডাকত দি পঠিয়াইছে, চাহি-চোন চাহি!"

কলিকতীয়া পুতেকৰ নাম শুনিয়েই জেতুকী উছাহত উতলি লৰালৰিকৈ গিৰিয়েকৰ ওচৰ পালেহি। জেতুকী—"মোৰ ভোকোন্দায়ে নো কি লেখিছে? মোৰ বোপাই ভালে আছে নে? মোৰ বোপাই ভালে আছে বুলি শুনিলেই মোৰ বুকুখন শীতল পৰি যায়। মোৰ দেহিডুখৰিক কিবা ধন-বিত্ত লাগে নে? ধন-বিত্ত লাগে যদি একুৰি মান কণ পঠিয়াই দিয়া।

মোৰ সেহিভুখৰিয়ে পচি থাওক, পচি থাওক, বৰ মানুহ হওক, মোক আন একো নেলাগে।"

গোসাঁই।—"বাবেধাতী! তোৰ সেহিভুখৰিক ধন-বিত নালাগে, বৰুৱা ফুকন হবলৈ হে লাগে। তাৰ এইখন চিঠি আজি ডাকত পাই, তাত নো কি লেখিছে পঢ়াই আনিবলৈ আমাৰ ধেখাবাম ভাগতীৰ ওচৰলৈ গৈছিলোঁ। চিঠিখনত ইংৰাজী দেশী দুই কলম আছে। ভাগতী বাপুৱে ইংৰাজী সোপা এৰিও আমাৰ মাতত লেখা সোপা যি পঢ়িলে তাক শুনি মোৰ গা গোটেইটোত জ্বৰ উঠিছে। তাৰ হেনো ভোকোন্দি নামটো কিবা অসইভ হৈছিল, সেইদেখি সি সেইটো নাম খহি মাজি সইভ কৰিছে। হেনো এতিয়াৰপৰা মই তালৈ চিঠি লেখিলে কিবা ভোকইন্দ্ৰ বুলি লেখিব লাগিব; আৰু বৰুৱা কথাষাৰো হেনো তাৰ পিছুতে যোৰাই দিব লাগিব। অৰ্থাৎ আমাৰ ভোকোন্দাই ভোকোন্দি গুচি ভোকইন্দ্ৰ বৰুৱা হৈছে হেনো।"

জেতুকী।—"বুজিছোঁ, মোৰ খোপায়ে হাড়-মূৰ ভাঙি দুখকৈ পঢ়িছে দেখি মহাৰাণীয়ে তাক বৰুৱা পাতিছে। বোলো, মোৰ এই গেন্ধেলা মুখখনেৰেই তোমাক কওঁ, দেখি থাকিবা, মোৰ ভোকোন্দাইক মহাৰাণীয়ে মনচুপ নাপাতিও নেৰে। হওক, হওক, মোৰ খোপায়ে সাত-শতুৰুৰ মুখত ছাই দি মনচুপ সদৰামিন এটাইখোৰ হওক। মই দিনৌ গোসাঁইক খাটি আছোঁ, সেইদেখি তাৰ ভাল হৈছে। তাৰ হকে আমাৰ আতাৰ থানত মই পাল-নাম এভাগি গোৱাবলৈকো আগ কৰি থৈছোঁ।"

গোসাঁই।—"তই নো এইখন কি বলকিছ? মহাৰাণীয়ে তাক বৰুৱা পাতিছে বুলি তোক কোনে কলে? তোৰ পুতেৰে হে আপোনা-আপুনি বৰুৱা হৈছে, আৰু মোকো সি বৰুৱা পাতিছে। তাৰ আগৰ নামটো হেনো বেয়া, সেইদেখি সি সেইটো সলাই কিবা ভোকইন্দ্ৰ হৈছে। মোৰও হেনো সি কিবা চৰিত্ৰ লেখাইছে, সেই দেখি মোৰ নামটোও সলাই মোক গোন্ধেশ্বৰ বৰুৱা পাতিছে। তই নো কথামখাৰ আহমখা নুবুজাকৈ কি কব লাগিছ?"

এনেতে গোসাঁইৰ ঘৰৰ আগেদি বগীৰাম ডাকবাবু যাওক। বগীৰামক দেখি গোসাঁয়ে মাত লগালে,—"ডাকবাবু ডাঙৰীয়া! ডাকবাবু ডাঙৰীয়া! তো-ভো কৰে নো কলৈ বাব লাগিছে? এইপিনে এখন্তেক আহকচোন, তামোলছালি এখনকৈ খাই যাওকহি।" এই কথা শুনি বগীৰাম আহি ভেওঁলোকৰ ওচৰতে বহিলত, জেতুকীয়ে লৰালৰিকৈ তামোলৰ বঁটাটো উলিয়াই আনি তামোল কাটিবলৈ লাগিল।

গোসাঁই।—"বোলো ডাকবাবু ডাঙৰীয়া, আমাৰ কলিকতীয়া লৰাটোৰপৰা এই চিঠিখন আহিছে, আমাৰ তাইক এবাৰ কিৰ্পা কৰি চিঠিখন পঢ়ি শুনাই দিয়কচোন।" এই বুলি চিঠিখন গোসাঁয়ে বগীৰামৰ হাতত দিলত বগীৰামে ডাঙৰকৈ মাতি পঢ়িবলৈ ধৰিলে :—

"মাই ডিয়েৰ ফাদৰ,

"আজি তোমালৈ যি কথা লেখিছোঁ, মই হপ্ (hope) কৰোঁ তুমি তাত মনযোগ কৰিবা। আজি এবছৰ হবলগীয়া হল মই কলিকতালৈ আহিলো। কিন্তু আহিবৰেপৰা মোৰ মনত এটা কথাই বৰকৈ উথল-মাথল লগাই আছিল। সম্প্ৰতি তাৰ এটা মীমাংসা কৰিছোঁ। বৰ লাজৰ কথা যে মোৰ নামটো ভোকোন্দি হৈছিল। really really বাস্তবিকতে এইটো বৰ shameful লাজৰ কথা। ইয়াৰ কলেজৰ লৰাই এই নামটো লৈ মোক বৰ ঠাট্টা কৰে। ময়ো দেখিছোঁ যে ভোকোন্দি বৰ অসভ্য নাম। monstrous। তাক সভ্য কৰি লোৱাটো মোৰ duty অৰ্থাৎ কৰ্ত্তব্য। সেইদেখি মই আমাৰ কলেজৰ হাজিৰা-বহীত আজি মাৰ্চ মাহৰ ২০ তাৰিখে তাক কটাই ভোকেন্দ্ৰ কৰিলো। আৰু মোৰ নামৰ পিছুত এটা উপাধি নোহোৱাৰ বাবেও বৰ হাঁহিয়াতৰ কথা হৈছে; সেইদেখি তাত বৰুৱা লগাই দিয়ালো। তুমিও আজিৰপৰা তোমাৰ নামটোৰ উন্নতিবিধান কৰি তাক গোন্ধেশ্বৰ কৰিবা আৰু তাত বৰুৱা কথাষাৰ লগাই দিবা; আৰু লোককো সেইদৰে তোমাক address কৰিবলৈ অৰ্থাৎ মাতিবলৈ কৈ দিবা। মই remember কৰোঁ অৰ্থাৎ মোৰ মনত আছে, তুমি এদিন কৈছিলা, মোৰ পেহী এজনী দুনীয়া বৰুৱাৰ ঘৰৰ গতৰাম বৰুৱাৰ হবিভকত কানুৰামলৈ পৰিবৰ কথা হৈছিল। যদি সেইটো সঁচা তেন্তে সেই সূত্ৰতে আমিও বৰুৱা লেখাত কোনো ব্যাঘাত নেদেখো। বিশেষ Ram gone, Ajodhya gone অৰ্থাৎ ৰাম গল, অযোধ্যাও গল; আহোমো গল, আহোমৰ ৰাজত্বও গল। সেইদেখি আহোমে পতা বৰুৱা ফুকনসকল সেই সেই উপাধিৰ ওপৰত Copy-right also gone, অৰ্থাৎ স্বত্বও গল। এতিয়া যি যোগ্য সিয়েই ইচ্ছামতে সেই উপাধি ব্যৱহাৰ কৰিব পাৰে। This is according to law of Equity অৰ্থাৎ ইকুইটি আইন মতে সত্য। আৰু "যোগ্যং যোগ্যং বমুক্তৰা" বুলি শাস্ত্ৰত আছে; এই সংস্কৃত কথাফাকিৰ মানে তুমি আমাৰ ভাগতী বাপুক শুধি লবা। এই বিষয়ে in detail অৰ্থাৎ বাহুল্যকৈ তোমালৈ লেখাৰ সকাম নাই; কাৰণ তুমি ignorant, সেইখোৰ বুজিব নোৱাৰিবা। মুঠতে কওঁ, যে আজিৰপৰা তুমি মোৰ instruction follow কৰি মই কোৱা মতে কাৰ্য্য কৰিবা। আৰু এটা কথা

মই তোমাক কওঁ। তুমি লাহে লাহে তোমাৰ Shameful গুৱালৰ ব্যৱহাৰটো এৰিবলৈ চেষ্টা কৰিবা ; কাৰণ সেইটো লাজ-লগা বুলি মই think অৰ্থাৎ বিবেচনা কৰিছোঁ। তুমি আগেয়ে যি আছিলা, এতিয়া, you are my father, তুমি মোৰ পিতাই ; therefore you must behave like a gentleman, অৰ্থাৎ ভদ্ৰলোকৰ দৰে তুমি চলিব লাগিব। আইক কবা, তেওঁ যেন ঘৰে ঘৰে চেং চেং কৰে আৰু নুফুৰে। She must keep her respect অৰ্থাৎ এতিয়া তেওঁ নিজৰ মান সম্ভ্ৰম ৰাখি ফুৰিব লাগিব। I hope অৰ্থাৎ আশা কৰো, তোমালোকে মোৰ কথাৰ অন্যথা নকৰিবা। ইতি :—

Yours affectionately,
শ্ৰীভোকেন্দ্ৰ বৰুৱা।

পু:—মোলৈ চিঠিৰ ওপৰত মোৰ ঠিকনা এইদৰে লেখাবা।—

Mr. B. K. Boroah
First Year Class, Metropolitan Institution
Calcutta

পুঃ পুঃ—মোৰ সৰু ভনীজনীৰ ভুৰ্ভুৰী নামটো সলাই ভ্ৰমৰিণী কৰিবা। কাৰণ, সময় থাকোঁতেই সেই কাম কৰা উচিত ; নাইবা, পিচত too late হৈ পৰিলে তাক শুধৰাবলৈ মোৰ নিচিনাকৈ বৰ কষ্ট পাব লাগিব। ভ্ৰমৰিণীক মোৰ kiss অৰ্থাৎ চুমা দি কবা, যে এই নামটো তাইৰ কলিকতীয়া ককায়েকে তাইক Birthday present অৰ্থাৎ জন্মদিনৰ উপহাৰ দিছে। আৰু এটা কথা,— মই দ-কৈ ভাৰি দেখিছো, যে আইৰ নামটোও নসলালে নচলিব। তোমাৰ জীৱন-চৰিতত আইৰ জেতুকী নামটো নিশ্চয় হাস্যাস্পদ হব ; সেইদেখি আইৰ জেতুকী নামটো গুচাই ৰতিকেশ্বৰী দিলো। আমাৰ গাঁৱৰ নামটোও বদলাব পাৰিলে ভাল। অৱশ্যে সেইটো কাম তুমি অকলৈ কৰি উঠিব নোৱাৰিবা। অনেক লোকক influence কৰি অৰ্থাৎ ৰাজহুৱা মত সংগঠন কৰি গৱৰ্ণমেণ্টক "মেমোৰিয়েল" অৰ্থাৎ দৰ্খাস্ত দি হে সেই কাম কৰিব পৰা হব। সেইদেখি সেইটো কাম মই উভতি নোৱালৈকে স্থগিত থাকক ; মই গৈ agitation অৰ্থাৎ এটা আন্দোলন কৰি তাক হাতত লম। ভৱিষ্যতৰ ইতিহাসলৈ এইদৰে বাট পোনাই ৰখাটো অত্যাৱশ্যক হৈছে। মই শ্যেলি, কীটচ, বৰি কৰি নিচিনাকৈ এখন বহনুলীয়া কৰিতা গ্ৰন্থ লেখিছোঁ, সি প্ৰায় শেষ হবলগীয়া হৈছে। তাৰ পাতনিত মোৰ ছবিৰে সৈতে মোৰ সংক্ষিপ্ত জীৱনীও ওলাব। সেইবাবে মই দীঘলকৈ চুলি ৰাখিছোঁ, আৰু কাৰণ লেখিলো। তোমাৰ বিস্তৃত জীৱনচৰিত্ৰ এখন লেখা নিতান্ত প্ৰয়োজন হৈ উঠিছে। মই তাৰ যো-জা কৰিছোঁ। তোমাৰ জীৱন-চৰিত্ৰৰ নিমিত্তে কিছুমান material অৰ্থাৎ সজুলি অৰ্থাৎ ঘটনা মই সংগ্ৰহ কৰি ভাওৰ মানুহ এজনৰ হাতত দিছোঁ, তেওঁ তোমাৰ জীৱন চৰিত লেখিবলৈ গাত লৈছে, আৰু তাৰ পাতচেৰেক লেখিছেও। কিন্তু সেই কিতাপৰ front page অত অৰ্থাৎ সমুখৰ পাতত তোমাৰ ছবি এটা দিবৰ বৰ দৰ্কাৰ, সেইদেখি তুমি এই চিঠি পোৱা মাত্ৰকতে তোমাৰ ছবি এটা তোলাই মোলৈ পঠিয়াই দিবা। যোৰহাটত photographer অৰ্থাৎ ছবি তোলোতা মানুহ নাই যদি ডিব্ৰুগড়লৈ গৈ গোসাঁই ব্ৰদৰ্চৰ তাত তোমাৰ ফটোগ্ৰাফ এটা তোলাবা ; ইয়াত মই হাফ্‌টোন ব্লক কৰাই এন্‌লাৰ্জ কৰিব লাগিব। ফটোখন সোনকালে মোক লাগে। ডিব্ৰুগড়লৈ যাবলৈ সম্প্ৰতি তোমাৰ হাতত cash অৰ্থাৎ নগদ ধন নাই যদি সেই গাখীৰতী বগী মহজনী বেচি দিবা ; অলপ cheap অৰ্থাৎ সস্তাকৈ দিলে থিতাতে বহুত কিনোতা ওলাব। আৰু তোমাৰ Travelling expenses-অৰ অৰ্থাৎ ডিব্ৰুগড়লৈ যোৱাৰ খৰচৰ পিছত ছবিৰ নিমিত্তে জোৰাকৈ হাতত ৰূপ নথকাটো যেন দেখিলে, আৰু এজনী মহ বেচিবা। মুঠতে এই কাম বৰ জৰুৰী জানিবা। —বি কে, বি,

গোসাঁই।—"দেখিলি, দেখিলি, বামেখাঁতী দেখিলি এতিয়া, তোৰ পুতেৰ কেনেকৈ ভোকইন্দ্ৰ হল, কেনেকৈ বৰুৱা হল ? সি বাপেৰে মোকো বৰুৱা পাতে, তোকো বৰুৱানী পাতে। গুৰুজনৰ অনুগ্ৰহত মহ-গৰু দুটামান ৰাখি এগাল ভাত খাই আছোঁ, সি বৰুৱা হৈছে দেখি তাকো হেনো এৰিব লাগে, তাকো বেচি দিব লাগে।"

জেতুকী। "মই দেখোন তোমাক কৈছোঁ, যে মোৰ বোপায়ে হাড়-মূৰ ভাঙি তেজ পানী কৰি কলিকতাত পঢ়িছে দেখি বৰুৱা হৈছে। মহাবাণীৰ পেটৰ কথাটো সি পাইছে ; নাপালে তেনে কেতিয়াও নকৰে। সি কত হেপ (Hope) কৰিছে, থিং (think) কৰিছে, চেম (shame) কৰিছে, ৰেচ্‌পেচ (respect) কৰিছে, কৰিহে তেনে কৰিছে। মই এতিয়াও কওঁ যে মোৰ বোপাইক মহাবাণীয়ে বৰুৱা পতাদি মনচুপ সদৰামিনো পাতিব, তুমি চাই থাকিবা ; মই আনুকী হওঁ যদি মোৰ কথা ফলিয়াবই ফলিয়াব। মোৰ বোপাইৰ হকে মই এই একাদশীতে থানত পাল নাম গোৱাম। মোৰ বোপায়ে ভণীয়েকক কি হাৰ (উপহাৰ) দিছে চাওঁ ? কোন ধাৰ ? অ' ভুৰ্ভুৰী। অ' ভুৰ্ভুৰী ! তোৰ কলিকতীয়া ককায়েৰে তোক কিবা কলিকতীয়া হাৰ পঠিয়াইছে, চাহি। কলে শুন লো এইজনী ?"

গোঁসাই ।—"বাঘেশ্বৰী । তোৰ পুতেৰৰ লগতে তয়ো বলিয়া হৈছ নে কি ? খোলে, সাত পুৰুষত মহল পাই, কঁধীয়া নৈ খীবাৰলৈ যায় । সি দুটা ইংৰাজী পঢ়ি ক-ক-ৰ-ৰ-কৰিলে বুলি গোঁসাই গুৱালে তোৰ সাত পুৰুষীয়া বৃত্তি এৰি ধকন্ধা হব লাগিব । সি ধকন্ধা হয়, কুকুৰ হয়, বান্দৰ হয়, শিয়াল হয় যি হয় হৈ থাওক, তাৰ লগতে মই বুঢ়াইও নাচিবলৈ যাব লাগিল নে কি ? তই নাচিব খুজিছ নাচ । কিন্তু বাইজে তোৰ মুখত চূণ সানি মূৰত ঘোল ঢালিব চাবি ।"

জেতুকী ।—"মোৰ লৰাৰ সুখ-সম্পদ দেখি বাইজৰ হিংসা লাগিছেই, সেইবুলি মোৰ লৰাই নপঢ়িব নে কি ? বাইজে হিংসা কৰিলে বুলি মোৰ লৰা মনচুপ সৰবাসিন নহব নেকি ? মোৰ একেটা লৰা, তাক এইদৰে সকলোৱে হিংসা কৰে । উ—উ—উ—।"

এই বুলি জেতুকীয়ে বাও জুৰি কান্দিবলৈ ধৰিলে । গিৰিয়েক ঘৈণীয়েকৰ চুপতাচুপতি লাহে লাহে এইদৰে বাঢ়ি গৈ শেহত গোঁসায়ে জেতুকীক এখুন্দা দিবলৈ ঢেকি-খোৰা বিচৰা দেখি খগীৰাম ডাক-খাবু তাৰপৰা লাহেকৈ উঠি প্ৰস্থান কৰিলে ।

এইখিনিতে আমি এই অধ্যায়টোৰ অলপ আগৰেপৰা ধৰি তাক মুকলি কৰি দিওঁ । গোঁসাই গুৱালৰ ঘৰ মাজুলিত । ম'হ গৰু ৰাখি, গাখীৰৰ ব্যৱসায় কৰি সি লাহে লাহে চহকী হৈ পৰিছিল । তাৰ এটা ল'ৰা নাম ভোকোন্দি ; আৰু এজনী ছোৱালী নাম ভুৰ্ভুৰী । ভোকোন্দিৰ বুধিটো সৰুৰে-পৰা চোকা আছিল দেখি তাক গোঁসায়ে পঢ়াশালিত পঢ়িবলৈ লগাই দিলে । জোতাল বুধীয়া ভোকো-ন্দিয়ে সোনকালে পঢ়াশালিৰ শিক্ষা শেষ কৰিলে দেখি বাপেকে উৎসাহিত হৈ দহ-চাৰিৰ পৰামৰ্শ মতে তাক যোৰহাটত থৈ গৱৰ্ণমেণ্ট হাইস্কুলত ইংৰাজী পঢ়িবলৈ নাম লগাই দিলে । ভোকোন্দিৰ অদৃষ্ট সুপ্ৰসন্ন ; গতিকে বুদ্ধিৰ সুৰতাহ তেওঁৰ বিদ্যাৰ পালত লাগি, পাল তুলি উঠি লোপতদোপে তুলীয়া জীৱন-নাও আগবাঢ়ি এণ্ট্ৰেন্স পৰীক্ষা পাৰ হৈ গ'ল । গৱৰ্ণমেণ্টৰ কুৰিটকীয়া বৃত্তি এটা ভোকোন্দিৰ কপালত উঠিলত বাপেক মাকৰ আৰু উৎসাহ বাঢ়িল ; সেইদেখি ভোকোন্দিক কলিকতাত "কাষ্ট আৰ্টচ" পঢ়িবলৈ তেওঁলোকে পঠিয়াই দিলে । ফলত, ভোকোন্দিক আমি আজি মেট্ৰোপলিটান ইনষ্টিটিউচনৰ প্ৰথম বাৰ্ষিক শ্ৰেণীত পাই, তেওঁ ধকন্ধা হোৱা এই ইতিহাস বুজিবলৈ পাইছোঁ ।

ভোকেন্দ্ৰ বৰুৱাৰ মধ্যলীলা

প্ৰথম অধ্যায়

সমুখ ৰণত পৰি বীৰ চূড়ামণি
গোৱেশ্বৰ গুচি যেবে গল স্বৰ্গপুৰী
অকলৈ, কোৱা হে দেৱী অমৃতভাষিণী !
শোকত কৰিলে কিবা জেতুকা-ঈশ্বৰী
পতিপ্ৰাণা ?

কলিকতাৰ মিৰ্জাপুৰ ষ্ট্ৰীটৰ ঘৰ এটাৰ খোটালী এটাত থকা পাঁচ মহা খেচৰ "তক্তপোচ" এখনত পেটপেলাই পৰি ভোকোন্দায়ে (আজিকালি ভোকেন্দ্ৰ বৰুৱা) অনেক ভাবি চিন্তি ওপৰত দিয়া কবিতা কেইফাকি ৰচনা কৰিছে মাথোন, এনেতে সেই "মেচ" নিবাসী শ্ৰীযুক্ত সোমনাথ শইকীয়া আহি তেওঁৰ পিছ ফালে থিয় দিলে । সোমনাথ যে পিছ ফালে থিয় দি আছেহি সেই খাতিৰি ভোকেন্দ্ৰৰ মূৰে তেতিয়াও পোৱা নাই । ইতিমধ্যে সোমনাথৰ চকুত ভোকেন্দ্ৰ বিৰচিত কবিতা কেইফাকি পৰিল । সোমনাথে বুজিলে যে কাব্য-কুসুমৰ মালা গঁথাত ভোকেন্দ্ৰ কবি ইমান নিমগন হৈ আছে যে সেই মালাৰ শান্তিভঙ্গ নকৰাকৈ তেওঁৰ ফালে ভোকেন্দ্ৰৰ মনযোগ আকৰ্ষণ কৰিবৰ আৰু আন উপায় নাই । সোমনাথে মাত লগালে—"কি হে ভোকোন্দাই ।—শ্ৰীবিষ্ণু ।— ভোকেন্দ্ৰ । তুমি দেখোন মাইকেল মধুসূদন দত্ত হৈ পৰিলা । চমৎকাৰ কবিতা ! আশ্চৰ্য্য !"

কাব্য কুঞ্জনিত বহি একান্ত মনে কবিতাৰ মালা গাঁথি থাকোঁতা ভোকেন্দ্ৰই হঠাৎ এই কথাষাৰ শুনি উচাপ খাই উঠি উভতি চাই দেখিলে যে তেওঁৰ বন্ধু সোমনাথ । অগত্যা তেওঁ বন্ধুক গুৰুত্ব আৰু কবিতাক লবুৰ দি হাতৰ পেঞ্চিল থৈ আগ্ৰহেৰে মাত লগালে—"অ' সোমনাথ ! আহাঁ, আহাঁ, বহাঁ, বহাঁ । কেতিয়া ইয়ালৈ আহিলা মইতো গমকে পোৱা নাছিলো ।"

সোমনাথ ।—"নেপাবাতো গম ; তুমি কিবা বোলেনে—

'কালিদাস ভৱভূতি
শ্যেনি কীটছ নবাযতি, অাকে আকে কবিৰ'

মাজত বহি কাব্য ফুল তুলি নৈ ফুলৰ চাকি গুথিব লাগিছা । গুথা, গুথা ; আৰু লগে লগে তুমিও অমৰ কবিসকলৰ ঘৰ সবাহত বহি তোমাৰ কবিতাৰ অঞ্জলিত বাগ দি সভাসদসকলক স্তম্ভিত কৰা । অমৰৰ নাম থাকক ।—মই এতিয়া আহিছোঁ ; বেছি পৰ হোৱা নাই । কিন্তু ভাই ভোকেন্দ্ৰ ! তুমি যে এনে

সুন্দৰকৈ অমিত্ৰাক্ষৰ ছন্দত কবিতা লেখিব পৰা হৈছা, মইতো আগেয়ে জনা নাছিলো। তুমি মাইকেলৰ 'মেঘনাদ বধৰ' নিচিনা কিবা এখন মহাকাব্য আৰম্ভ কৰিছা দেখিছোঁ। Bravo ভোকেন্দ্ৰ! Bravo poet ভোকেন্দ্ৰ!" ভোকেন্দ্ৰই উত্তৰ দিলে,—"অন্তৰত কবিতাৰ ভাবৰ ভুমুক থাকিলে সেই ভাব এইদৰে ওলায়েই। মাইকেল মিল্টন কিবা চতুৰ্ভুজ আছিল নে কি? মাইকেল মিল্টনো মানুহ, আমিও মানুহ; মাথোন Opportunity লাগে, সুবিধা লাগে, আৰু ছপাবলৈ ধন লাগে। এই দুটাই খাই কথা। মোক এই দুটা তুমি দিয়া আৰু মেঘনাদ বধ, কুম্ভকৰ্ণ বধ, ব্ৰজাঙ্গনা আৰু বীৰাঙ্গনা কাব্য কেইখন লাগে মোৰপৰা তুমি 'ফৰ্মাচ দি' লৈ থাকাঁ।"

সোমনাথ।—"সঁচা কথা, সঁচা কথা। তুমি অনায়াসে পাৰিবাও কাৰণ তোমাৰ গাত কবিতা sparks (ফিৰিঙতি) আছে। পাৰ্থৰ নিচিনা বীৰৰ সুবিধা আৰু কৃষ্ণৰ নিচিনা সহায়ৰ-ধন পালে তোমাৰ ফিৰিঙতিয়ে যে নিশ্চয় অগম খাণ্ডৱবন দাহ কৰিব পাৰে তাক মই ভালকৈ বুজিছোঁ।"

ভোকেন্দ্ৰ—"দেখা সোমনাথ, তুমি ভাই মোক যেনেকৈ বুজা, মোৰ ইমানবোৰ 'ফ্ৰেণ্ডৰ' (বন্ধু) ভিতৰত কোনেও মোক তেনেকৈ নুবুজে, জানা। merit appreciate কৰিবলৈ merit লাগে। লোকৰ মোল বুজিবলৈ নিজৰ গাত মোল থাকিব লাগে। তোমাৰ অন্তৰতো কবিতাৰ Germ অৰ্থাৎ বীজ অৰ্থাৎ পোক আছে, অলপ Cultivate কৰিলে অৰ্থাৎ চহালে তুমিও কবি হব পাৰা।"

সোমনাথ—"Quite right, সঁচা। ৰতনেহে ৰতন চিনিব পাৰে। তোমাৰপৰা শুনি গৈ যে কবিতাৰ পোক মোৰ ভিতৰতো সোমাইছে, সেইটো মই অলপ-অচৰপ আজি বুজিব পাৰিছোঁ। কালি ৰাতি মোক সঁচাকৈয়ে এই পোকে কামুৰিছিল; নহলে বাহিৰত জোনাক দেখি ভিতৰৰ শোৱাপাটীত পৰি মোৰ টোপনি নাহিছিল কিয়? আৰু দুঘণ্টামান পাটীতে পৰি ভাবি ভাবি—

'তোমাক হে ভাল পাওঁ সখি।'

এই কবিতা ফাকিৰ লগত—

'তোমাক নাপালে উৰি যাব প্ৰাণ-পখী॥'—

এই ফাকি কোনোমতে মিলাই হে শেহত মোৰ টোপনিটো আহিছে। কিন্তু মই নচহাওঁ, বুজিছা নে? কবিতাৰ Germ বোৰ যদি বীজ হয় তেন্তে ভালেই, তাৰপৰা কঠিয়া হব; আৰু যদি পোক হে, তেন্তে সেই এটাইবোৰ পাখিলগা উই-পৰুৱা হৈ কৰবালৈ উৰি যাবৰ সম্ভৱ।"

ভোকেন্দ্ৰ।—"যাওক সেইবোৰ কথা। তুমি আহিলা ভালেই হল; তোমাৰে সৈতে মোৰ এটা ডাঙৰ বিষয় আলচ কৰিব লগা হৈছে। যাকে তাকে প্ৰাইভেট্ (বিশ্বাসী) কথা কবও নোৱাৰি; আজি পুৱা ঘৰৰপৰা এটা টেলিগ্ৰাম পালো; তাত লেখিছে মোৰ 'ফাদাৰ' (পিতাদেও) গোৱেশ্বৰ বৰুৱাই কালি দিনৰ দহ বজাত প্ৰাণত্যাগ কৰিলে। অৱশ্যে মাউৰত। আগেয়ে কোনো inkling (সঙ্কেত) মোক কোনেও নিদি হঠাৎ মৃত্যুৰ বাতৰি দিলে। আজি দহ দিনমানৰ আগেয়ে 'ফাদাৰৰ' পৰা এখন চিঠি পাইছিলোঁ, তাত লেখা আছিল যে তেওঁৰ গৰু ম'হ এটাইকেইটা চৰকাত পৰি মৰিল, আৰু তেওঁৰ ধাৰ-ঋণ লাগি অৱস্থা বেয়া হল; সেইদেখি তেওঁ আৰু মোলৈ মাহে মাহে ধন পঠিয়াব নোৱাৰে; সেইবাবে মই ঘৰলৈ উভতি যাব লাগে। পোনতে মই সেই চিঠিৰ কথা Mere bosh (ফাকি) বুলি ভাবি উৰাই দিছিলো, কিন্তু তাৰ দুদিনৰ পিচত uncle-অৰপৰা (মোমাইৰ পৰা) এখন চিঠি পাই বুজিলো যে ফাদাৰৰ সেই চিঠিৰ কথা সঁচা। এতিয়া ফাদাৰো ঢুকুৱা বাতৰি হঠাৎ পালো। Now মই কৰোঁ কি? দুবাৰ Cursed ফাৰ্ষ্ট আৰ্টচ পৰীক্ষা দিও 'পাছ' হব নোৱাৰিলো; হতচিৰী হোৱা পৰীক্ষকবোৰে নিজৰ বিদ্যা ফলাবলৈ গৈ টান প্ৰশ্ন দি আমাক Massacre (হত্যা) কৰিলে। সেই-দেখি ফাৰ্ষ্ট আৰ্টচক kick কৰি (লাঠি মাৰি) ওস্তাজ ৰাখি গান বাজনাকে শিকিবলৈ চেষ্টা কৰি-ছিলো; ভাবিছিলো অসমত 'মিউজিক প্ৰফেচৰ' (সঙ্গীতৰ অধ্যাপক) হব পাৰিলেও নাম কৰিব পাৰিম, কিন্তু সিও নহল; বেটা ওস্তাজে পইচা খাই ৰাগৰ তা-না-না-না শিকাওঁতেই দিলে৷ তিনি চাকিকৈ তেল পোৰে দেখি disgusted (বিৰক্ত) হৈ তাকো এৰি পেলালোঁ। সেই সোপা অৱশ্যে তুমি জানায়েই। তাৰ পিছত ভাবিলো Author (গ্ৰন্থকৰ্ত্তা) হম। তিনিখন নাটকৰ তিনিছোৱা লেখি আমনি লাগি তাকো পুৰি পেলালো। কবিতাৰ কিতাপো এখন লেখিছিলো, খৰচৰ অভাৱত ছপাব নোৱাৰি তাকো পেলাই থৈছো। আজি Father's demise news (পিতৃ বিয়োগ বাতৰি) পাই বেজাৰ লাগি ভাবিছো, যে আজি অমিত্ৰাক্ষৰ ছন্দত এখন মহা-কাব্য ৰচনা কৰোঁ। কিতাপখন ছপাবলৈ এজন publisher (প্ৰকাশক) ঠিক কৰিব পাৰিলেই সকলো লেঠা মৰে। কলিকতাৰ এচু কে লাহিড়ীক বুজাই কলে বোধকৰোঁ publish কৰিবলৈ ৰাজী হব; নহলে আমাৰ ভট্টাচাৰ্য্যকে ধৰিম বুলি ভাবিছো। যেয়ে প্ৰকাশক হওক, মই কিন্তু নিশ্চয়কৈ কব পাৰোঁ যে মই যি গঢ়েৰে কাব্যখন লেখিব খুজিছো সেই কাব্য ছপা কৰি বিক্ৰী কৰিলে টকাই টো-টোৱাই থাকিব। আৰু He will be amply

compensated, নিশ্চয় তেওঁৰ খৰচ উঠি বিস্তৰ লাভ হ'ব। তুমি কি বোলা ?"

গোম।—"নিশ্চয় নিশ্চয়। মই তাৰ আৰম্ভনটো দেখিয়েই বুজিব পাৰিছো যে সি এখন হমৰৰ ইলিয়াদ নাইবা মাইকেলৰ মেঘনাদ হ'ব। কিন্তু এটা কথা সোধো, তোমাৰ পিতৃদেৱতা সমুখ সমৰত পৰিল বুলি যে তুমি লেখিছা, সেইটো কোন যুদ্ধত ?"

ডোক।—"কিয় ? মাউৰেবে সৈতে কৰা যুদ্ধত। আৰু সেইদৰে লেখাটো মহাকাব্যৰ দস্তুৰ হে। তেনেকুৱা এটা 'গ্ৰেণ্ড' ধৰণ নহলে কাব্যখন Effective নহয়। মহাকাব্যৰ আৰম্ভনেই তেনে। Why don't you understand this ?"

গোম।—(মুখটো খজুৱাই) "বুজিলো এতিয়া। ঠিক হৈছে।"

ডোক।—"ৰবা মাই হোৱা ঠিক। আৰু আছে। ধৰা এই venture টো (চেষ্টা) কোনো unforeseen কাৰণত (অদৃষ্টক্ৰমে) Successful (সিদ্ধি) নহয়; কাৰণ There is slip between the cup and the lip, তেন্তে আৰু কি কৰা যাব ? মই স্পষ্টকৈ দেখিবলৈ পাইছোঁ, যে মই অনাহাৰে উভতি যাবই লাগিব। Questino of money my friend ! পইচাৰ কাম, বান্ধ! তেতিয়া কি কৰিম ? চাকৰি I can't accept. চাকৰি মই লব নোৱাৰোঁ, কাৰণ সি মোৰ স্বভাৱৰ বাহিৰ। What profession do you recommend ? তুমি মোক কি কামত ধৰিবলৈ পৰামৰ্শ দিয়া ?"

গোম।—" Author (গ্ৰন্থকৰ্ত্তা) হোৱা।"

ডোক।—"Provided I get a Publisher to publish my book. প্ৰকাশক নহলে গ্ৰন্থকৰ্ত্তা হোৱা মিছা। কিতাপ ছপাবলৈ ধন লাগে। Suggest another my friend. আৰু এটা কোৱা।"

গোম —"খেতি বাতি কৰা।"

ডোক —"তাতেকো Capital (মূল-ধন) লাগে। নিজেতো হাল বাব নোৱাৰি। কামত আৰ্য্য হোৱা দিন গল।"

গোম।—"বাণিজ্য ব্যৱসায় কৰা।"

ডোক।—"অৱশ্যে বাণিজ্যে বসতে লক্ষ্মী ; কিন্তু তাতেকো মূল-ধন আৱশ্যক। মূলধন নহলে সোহোৱা ব্যৱসায়ৰ নামকে নকৰা। Besides grand sca'e-অত অৰ্থাৎ ডাঙৰকৈ ব্যৱসায় কৰিব নোৱাৰিলে মুদীৰ দোকান কৰিবলৈ যোৱাটো Degradation (অপমানৰ কথা)। I can't do it, মই সেইটো কৰিব নোৱাৰোঁ।"

গোম।—"তোমাৰ দেউতাৰাৰ ব্যৱসায় ?"

ডোক।—" Horrible। ছিঃ ছিঃ। তোমাৰ মুখটো গোবৰেৰে ভৰা যেন দেখিছোঁ। কাদাৰৰ ব্যৱসায়ৰ মহত কি নাম পাইছিলো তাক মৰি-মৰ আহ দি মুছিহে গুচাইছোঁ ; তাকে আকৌ তুমি কোৱা। এই কথাষাৰ তুমি নকৈ যদি আন কোনোবাই কলেহেঁতেন তেন্তে তাক মই সমুচিত প্ৰতিফল দিলোহেঁতেন। I would not have excused him. মই তাক কেতিয়াও ক্ষমা নকৰোঁ। But you are my best friend so I excuse you. তুমি মোৰ বন্ধু, সেই দেখিহে মই তোমাক ক্ষমা কৰিলোঁ। তুমি জানা নে ? সঁচাকৈ কব লাগিলে, আমাৰ গৰু-মহবোৰ মৰি গলত মই পেটে পেটে বং পাইছোঁ। আপদ গল। গলগ্ৰহ গল। A millstone has been removed from my neck ।"

গোম।—"তেন্তে এটা noble profession ভাল ব্যৱসায় আছে, কৰিবা নে ? কৰিব পাৰিলে যহ সুখ আৰু ধন এই তিনিওটা লাভ হব ।"

এই কথা শুনি আগ্ৰহেৰে ডোকোলাই গোমনাথৰ কাষ চাপি আহিল। আহি সুধিলে, "কি ভাই, সেইটো কি কোৱাঁচোন ? ঠিক তেনে এটা profession-কে (ব্যৱসায়কে) মই বিচাৰি ফুৰিছোঁ। কোৱা ভাই কোৱা ?" ডোকোলাইৰ আগ্ৰহ দেখি গোমনাথে গহীনকৈ মাত লগালে "Spy ৰ profession ; চোৰাংচোৱাৰ ব্যৱসায়। এই ব্যৱসায় বৰ লাভৰ ব্যৱসায়। ধৰিবলৈ গলে ই বৰ Noble profession. এই ব্যৱসায়ত থাকিলে, কোনে কি কৰিছে, কি মেলিছে, ইত্যাদি দুনীয়াৰ কত খবৰ জানিব পাৰি ; জানি মনত কি ভুমানন্দ লাভ কৰিব পাৰি আৰু লোককো সেই গোপনীয় কথাৰ ভাণ্ডৰ পৰা অমৃত বিতৰণ কৰি আনন্দ দিব পাৰি, কি সেই কাম কৰিছে সি হে তাক বুজিব পাৰে। তাৰ বাহিৰে তাৰ দ্বাৰাই দেশৰ মহৎ উপকাৰ হয় ; কাৰণ চৰিয়াই দেশৰ চক্ষু, ৰজাৰ চক্ষু, প্ৰজাৰ চক্ষু 'চাৰ: চক্ষু মহীৰ্ভতু ৰুস্যামাত্যাম্বকস:' আৰু এটা কথা মই তোমাক কওঁ, আজিকালি স্পাইৰ (চৰিয়াৰ) বৰ demand (প্ৰয়োজন)। তুমি হওঁ বুলিলে এতিয়াই কিজানি কোটোৱালহঁতে তোমাক জপিয়াই চুমা খাই কোলাত তুলি লৈ যাব। তুমি দেখুৱাই শুনাই চোৰাংচোৱাৰ বিষয়খন খাবলৈ যদি অলপ লাজ কৰা তেন্তে গুপুতে ভেঁওলোকক সকলো খবৰাখবৰ যোগাই থাকিব পাৰিলেও মুঠিয়ে মুঠিয়ে টকা তোমাৰ হাতলৈ আহিব। সদায় নানা সঁচা খবৰ নেপালেও অলপ বুধি খেলাই সঁচাই মিছাই একেঠাই কৰি বাঢ়িবাঢ়ি দি থাকিব পাৰিলেও চলি যাব। ইত্যাদি

কাৰণত হে কৈছোঁ যে চৰিয়াৰ ব্যৱসায় বৰ লাভৰ ব্যৱসায়,—আৰু ওখও ।"

ডোক ।—"ছিঃ ! মই Spy হব নোৱাৰোঁ দেও হে । চোৰাংচোৱাক মই বৰ ঘিণ কৰোঁ । I hate that brood of spies । ভাল মানুহৰ লৰাই চুৰকৈ লোকৰ কল-তলে বাঁহ-তলে ফুৰি, কোনে কি কৰিছে কি খেলিছে, সেইবোৰ খিপলগা কথা চাই ফুৰা ব্যৱসায়ক যে তুমি কি বুলি noble professi n (ওখ ব্যৱসায়) বুলিছা মই বৰ নোৱাৰোঁ । প্ৰাণ গলেও মই সেই কাম কৰিব নোৱাৰোঁ ; তেহেলৈ যিমানেই ধন লোণ থাকক । একোকে কৰিবলৈ নাপালে মই বৰং কবিতা লেখি উধুৱা আছ চাউলৰ ভাত এগাল আধাপেটীয়াকৈ খাই প্ৰাণ ধাৰণ কৰিম ; গিয়ো ভাল, তথাপি কাক-তুল্য চোৰাংচোৱা dirty spy হব নোৱাৰোঁ ।"

এই বুলি কঠুৱাকৈ ডোকোপ্দায়ে এই উত্তৰ দি মৌনাৱলম্বন কৰিলত, সোমনাথে "আহোঁ হে এতিয়া, ভাত খাবৰ হল" বুলি কৈ তাৰ পৰা উঠি-গুচি গল ।

দ্বিতীয় আধ্যা

বলী দুৰৱস্থাই নিশকতীয়া ডোকোপ্দাইক কলিকতাৰপৰা হেচুকি নি অগমত পেলাই দিলে গৈ, সেইদেখি আজি আমি তেওঁক মাজুলীৰ ঘৰত দেখিবলৈ পাইছোঁ । মাক জেতুকীয়ে অনেক দিনৰ মূৰত পুত্ৰৰত্নক লাভ কৰি আচলৰ গাঁথিত খাদ্ধি থৰ খোজোতেই ডোকোপ্দায়ে হাতেৰে ঠাৰ দি, মাকৰ সেই পুৰণি অপ্ৰীয়া ভাৱনা বন্ধ কৰি দি, থিয়েটৰৰ বীৰৰ গঢ়েৰে গম্ভীৰ ভাৱে মাকক স্বাগত প্ৰশ্নাদি কৰিবলৈ ধৰিলে । পুতেকৰ সংস্কৃত ভাব গতি দেখি জেতুকীয়ে নিজৰ মনত সদায় ডাঠকৈ পুহি থকা ভাবটো আৰু ডাঠ হৈ উঠিল, সেইদেখি খন্তেকৰ নিমিত্তে তেওঁ স্বামীৰ শোক পৰিহাৰ কৰি উৎসাহেৰে মাত লগালে,—"মোৰ বোপাই, তই কলিকতাত পঢ়ি শুনি হাকিম হৈ আহিছি, সেইটো মই আগৰেপৰা জানিছিলোঁ ; সেইদেখি এই দুখতো মোৰ বং । তই হে, কলিকতাত থাকি যে মুনুচুপ সদৰামিন হৈছ সেই কথাৰ একেবাৰকে আমালৈ চিঠিত নেলেখ । তোৰ এনেহে আশয় ? তই নো মোক ভাবিব লাগিছে কেলেই মোৰ বোপাই ? তই একেবাৰেই হাকিম হৈ আহি আমাৰ দেশত ওলাই বাবে শত্ৰুৰ মুখত ছাই মানিবি বুলি মই আগৰেপৰা জানি আছিলোঁ । তোৰ বাপেৰ হোজা মানুহ আছিল, সেইদেখি সেইটো তেওঁ বুজিব নোৱাৰিছিল, আৰু সেই কথা মই উলিয়ালেই সদায় তেওঁ মোৰে সৈতে দন্দ পাতিছিল । যপুৰা গল, মৰি সুখ সম্পদ দেখিবলৈ নাপালে । এতিয়া গোসাঁয়ে তোৰ ভাল কৰক, মোক আন একো নালাগে মোৰ বোপাই ।" এই বুলি জেতুকীয়ে চকুৰ পানী টুকিবলৈ ধৰিলে ।

ডোক ।—" Now, Now, mother what is this ? pray don't ! don't ! তোমালোক তিৰুতা মানুহ বৰ sentimental, কথায় কথায় তোমালোকৰ চকুৰ পানী ওলায় । তোমাক কোনে কলে যে মই হাকিম হৈ আহিছো । সেইটো মিছা কথা । Noth ng of the sort. You are very simple তুমি বৰ হোজা বুজিছা নে ?"

জেতুকী ।—"মোক কোনে কব লাগিছে, মই নিজেই বুজিছোঁ । মোক নো তই ভাবিব লাগিছে কেলৈ মোৰ বোপাই । মই কিবা তোৰ সুখ সন্তোষ দেখিলে বেয়া পাওঁ নে ? মোক তই একো দিব নালাগে মোৰ বোপাই, তই মুনুচুপ সদৰামিন বৰ মানুহ হৈ ভালে কুশলে থাকিলেই মোৰ সকলো হল ।"

ডোক ।—"থাক সেইবোৰ কথা এতিয়া থোৱা, পিছত হব । ভ্ৰমৰিণী কলৈ গল ? তাইক দেখা নাই দেখোন ?"

জেতুকী ।—"কোন বোপাই ? কোন কলৈ গল ? ভ্ৰমলিনী কোন । অ বুজিছোঁ, ভনীয়েৰ ভুৰ্ভুৰী । তই দিয়া নামটোৰে মাতিছ ? তাই খাট দুই আছিল, কিন্তু তই কেতিয়া পাখিহি তাৰ ভু নেপাই, টোপনিয়ে ধৰিলত শুই থাকিল । তুলি আনো গৈ ৰাওঁ ।"

ডোক ।—"নালাগে, নালাগে এতিয়া তাইক তুলিব । থাওক, শোৱক, কাইলৈ পুৱা দেখা হব । বাৰু আই কোৰাঁচোন, পিতায়ে কিমান ধাৰ লগাই থৈ গল ?"

জেতুকী ।—"গৰু মহ কেইটা চৰণা লাগি মৰিলত, তোলৈ ধন পঠিয়াবলৈ পিতাৰে ধাৰ কৰিছিল । তিনি কুৰি কপৰ ধাৰ লাগিল । তই চিন্তা নকৰিবি, তিনি কুৰি কপ নো কি ? তই হাকিম হৈ আহিছ যেতিয়া মই একে মাহতে সোপাকে ভজি পেলাম ।"

ডোক ।—"থাক, থাক সেইটো এৰা, খাবলৈ কি আছে আনা, I am hungry মোৰ ভোক লাগিছে—"

এই কথা শুনি জেতুকীয়ে লৰালৰিকৈ পুতেকলৈ ভাত বাঢ়ি আনিবলৈ ভিতৰলৈ গল ।

তৃতীয় অধ্যায়

ইয়াৰ এমাহমানৰ পিছতে সংসাৰ-শিলৰ ৰৰ জাতখন কোনোবাই ভোকোন্দাইৰ পিঠিত তুলি দি ঘূৰাবলৈ ধৰিলে ; আৰু তাৰ হেচাত তেওঁৰ ভবিষ্যতৰ আশা ভৰসাবোৰ দল খাই গল। ভোকোন্দায়ে কলিকতাৰপৰা উভতি আহি স্কুলে কেচাৰিত ২০-২৫ টকীয়া চাকৰি কৰাটোও অপমানৰ কথা বুলি ভাবিছিল ; অথচ "এফ্ এ ফেল" তেওঁক তাতকৈ কোনেও সৰহ দৰমহাও নাযাচে। তেওঁৰ গাত গুণ থাকিলেও সেই গুণ দেখিবলৈ লোকৰ মূৰত চকু নাই। ভোকোন্দাইৰ হাতত এনে কপ-ৰানও নাই যে তেওঁৰ সংসাৰযাত্ৰা নিৰ্ব্বিবাদে চলে। গৰু-ম'হবোৰ বাপেক গোল্লেশ্বৰে ইয়াৰ আগেয়ে লগত লৈ সিপুৰীলৈ গল ; আৰু বাপেকৰ অন্তৰ্দ্ধান ভোকোন্দাইৰ অননুমোদিত হলেও গৰু-ম'হবোৰৰ অন্তৰ্দ্ধানটো যে অনুমোদিত হৈছিল সেইটো আমি ভালকৈ জানো। ইফালে কলিকতাত থাকি তেওঁৰ খোৱা-পিন্ধা আদি কাৰ্য্যবোৰ ওপৰলৈ ৰগাই গৈ ইমান টিং খোপত উঠিছিল যে তাৰ পৰা সিহঁতে তললৈ চালেই সিহঁতক মূৰঘূৰণী ৰোগে ধৰিছিল। নাদ পুখুৰীৰ পানীয়ে এতিয়া ভোকোন্দাইৰ কাম নচলে, "ফিল্টৰ ওৱাটৰ" অৰ্থাৎ চেকা পানী লাগে। গধূলি "হুইস্কি" "চডা" নহলে ৰঙা পানীয়ে তেওঁৰ পিয়াহ গুচাব নোৱাৰে। জলপানৰ সময়ত বিস্কুট পাউৰুটি নেদেখি পিঠা-গুৰি কোমলচাউল দেখিলে তেওঁৰ গাত জ্বৰ উঠে। এইবোৰ আহকালৰ উপৰিও তেওঁৰ বাপেকে লগাই থৈ যোৱা ধাৰ সধা মানুহৰ তাপত তেওঁৰ প্ৰাণবায়ু ওষ্ঠাগত।

দুখৰ বেমেজালিয়ে ভোকেন্দ্ৰ বৰুৱাক বেঢ়ি ধৰি থাকোঁতেই সুখৰ জিলিঙনি এটি আহি এদিন তাৰ মাজতে তেওঁৰ গাত পৰিল। সঁচাকৈ কবলৈ গলে, সেইটোক জিলিঙনি নুবুলি এক প্ৰকাৰ বিজুলী-সোঁতৰ খুন্দা হে বুলিব লাগে। কাৰণ খবৰটো শুনা মাত্ৰকতে তেওঁৰ গোটেইটো গা আনন্দত পুলকিত হৈ হাত ভৰিবোৰ ঠক্ ঠক্ কৰে কঁপিবলৈ ধৰিলে। এন্ধাৰ খোটালী এটাত ভালেমান দিন বন্দী হৈ থকা বন্দী এটাই যদি দেখে যে কোনোবাই হাতত চাবি লৈ বন্দীশালৰ দুৱাৰখন মেলি দি তাক মোকোলাই লৈ যাবলৈ আহিছে, তেতিয়া সেই বন্দীৰ যেনে আনন্দ হয় ভোকেন্দ্ৰ বৰুৱাৰো তেনে আনন্দই হল।

খবৰটো এই যে, শগুণবাহী মৌজাৰ মৌজাদাৰ শ্ৰীযুত নোমল চন্দ্ৰ বৰুৱাই তেওঁৰ জীয়েক চম্পেশ্বৰীক, কলিকতাত লেখা-পঢ়া শিকি অহা শ্ৰীমান ভোকেন্দ্ৰ বৰুৱালৈ বিয়া দিবৰ প্ৰস্তাৱ কৰি দূত পঠিয়াইছে। মৌজাদাৰ চহকী, চম্পেশ্বৰী বগী। নোমলচন্দ্ৰ শিৰফুটা বৰুৱাৰ ঘৰৰ। চম্পেশ্বৰী নিম্ন প্ৰাইমেৰী পৰীক্ষাত উঠা বৰুৱাৰ ঘৰৰ জীয়ৰী। ভোকোন্দাইৰ একেদোপতে লক্ষ্মী সৰস্বতী দুই লাভ ; আৰু তাৰ উপৰি লাভ—আচল বৰুৱাৰ ঘৰৰে সৈতে কুটুম্বিতা। এইদেখি ভোকেন্দ্ৰ বৰুৱাৰ আজি আনন্দৰ দিন।

ভোকোন্দায়ে কলিকতাত থাকোঁতে শুনিছিল, যে বিশ্ববিদ্যালয়ৰ পৰীক্ষা "পাছ" কৰা দৰা বেছি দামত বিক্ৰী হয়। "তিনখানা পাছৰ" বেচ "একখানা পাছতকৈ সৰহ"। ভোকোন্দাযে অন্ততঃ "একখানা পাছ কৰিছে তো" ; তেনেহলে তেওঁৰো দৰ নচবিবৰ কাৰণ নাই। বিশেষকৈ আসামত "একখানা পাছেই" কলিকতাত "তিনিখানাৰ" সমান ; কাৰণ, এইটোও চাব লাগে যে অসমত দুটা তিনিটা পৰীক্ষাত উঠাই বা কেইটা দৰা পোৱা যায় ? আৰু শাস্ত্ৰত বিচাৰি চালেও পোৱা যায় যে, জাম্বৱন্তই কৃষ্ণক জোঁৱাই পাই জাম্বৱতীৰ লগত স্যমন্তক মণি যৌতুক দিছিল। নোমলচন্দ্ৰয়েই বা ভোকেন্দ্ৰচন্দ্ৰৰ নিচিনা জোঁৱাই পাই চম্পেশ্বৰীৰ লগত নগদ পঞ্চশত ৰৌপ্যমুদ্ৰা যৌতুক নিদিবৰ বিপক্ষে কাৰণ কি আছে ? সেইদেখি দূতৰ মুখে ভোকেন্দ্ৰই নোমল মৌজাদাৰলৈ সম্বিধান দি পঠিয়ালে যে বিয়াৰ "খৰচ-খৰ্চাৰ" উপৰি ৫০০ টকা নগদ ৰূপ তেওঁৰ যৌতুক দিলেহে তেওঁ নোমলনন্দিনীৰ পাণিগ্ৰহণ কৰিব। কন্যাদায়-গ্ৰস্ত নোমল ! পুতৌ ! যি দিনাই তুমি কন্যাৰত্ন লাভ কৰিলা, সেই দিনাই তোমাৰ স্বাধীনতা-ৰত্ন হেৰুৱালা। সেইদেখি তুমি ভোকেন্দ্ৰ বৰুৱাৰ উৎপাত সহ্য কৰিবলৈ বাধ্য। এতেকে সহ্য কৰঁা।

নিৰুপায় নোমলে ভোকেন্দ্ৰৰ প্ৰস্তাৱত মান্তি হৈ বিয়াৰ দিন-বাৰ ঠিক কৰি ভেকেন্দ্ৰলৈ সমাচাৰ পঠিয়ালে। ইয়াৰ ভিতৰতে আমাৰ ভোকেন্দ্ৰ বৰুৱাই কি কৰিলে শুনিবা নে ? তেওঁ হাতত তুলাপাত আৰু পেন্সিল লৈ বাৰীৰ পিছ কালে গোসাঁই আমগছ এজোপাৰ তলত এটা ভগা মূঢ়া পাৰি লৈ বহি, একান্তমনে, তলত দিয়া কবিতাটি ৰচনা কৰিলে,—

চম্পাৰ ঈশ্বৰী প্ৰিয়ে চম্পক বৰণি।
অমৃতভাষিণী বামা কুৰঙ্গনয়নি !
বিৰসবদনী কিয় ? কৰঁা অভিমান ?
প্ৰেম-কলি ! কিয় নাই গোৱা প্ৰেমগান ?
বসন্ত ঋতাহ বলে, আহে মলিয়াৰ।
জগৎ প্ৰেমেৰে ভৰি হয় প্ৰেমময়।
এনে সুখ সময়ত ওকোন্দাই মুখ

কিয় দিছা চন্দ্ৰপুৰী ভোকেন্দ্ৰক দুখ ?
কিবা দোষে দোষী ভোক, বজ্ৰ পদে তোৰ ?
অধৰে অধৰি দূৰ কৰা তাপ মোৰ।

চতুৰ্থ অধ্যায়

বিয়াৰ পিছতে ভোকেন্দ্ৰৰ গাঁৱলীয়া জীৱনৰ অধ্যায়ৰ অন্ত পৰিল। তেওঁ মাজুলী এৰি তেওঁৰ ঘৰ যোৰহাটলৈ তুলি আনিলে। খিয়াৰ তিনি মাহ খাওঁতে-নাখাওঁতেই খৰচীয়া ভোকেন্দ্ৰৰ হাত উদং হল, আৰু অৰ্থচিন্তাৰ খোজত বৰকৈ উৰা ধুলিয়ে দুপৰৰ নিচিনা তেওঁৰ পোহৰ মনক গধূলি কৰি পেলালে; শহুৰৰপৰা পোৱা ৫০০ টকা তেওঁৰ কলিকতীয়া আচাৰ ব্যৱহাৰৰ ভোমোলা বিহ্বাইদি সোনকালে সৰকি পৰিল। গতিকে, কেনেকৈ জীৱন-যাত্ৰা নিৰ্বাহিত হয় এই মহা চিন্তাই ভোকেন্দ্ৰক খুলি খুলি খাবলৈ ধৰিলে। মাক জেতুকীয়ে নিজৰ ডিঙিৰ মণি, কাণৰ কেৰু পৰ্যন্ত গোঁতা দি "হাকিম পুতেকৰ" সংসাৰৰ ব্যয় কিছুদিন নিৰ্ব্বাহ কৰিছিল; কিন্তু তাৰো চাপত এতিয়া ভোকেন্দ্ৰৰ ভৰি পৰিলহি। পোহাৰী, মুদী, কেঁচা গুৱাল আদিৰপৰা উঠনাকৈ বস্তু খোৱাৰ বেচ আৰু খোৱা নাপিতৰ দৰমহা দিব নোৱাৰাত সিহঁতৰ খেচুখেচনিত ভোকেন্দ্ৰই অবোমুৰ দেখিলে। শেহত তেওঁৰ ওপৰত কেছাৰীত কৰা গোচৰ খোপাখোপ হৈ তেওঁৰ গাত ওলমিবলৈ ধৰিলে।

এনে নিৰুপায় অৱস্থাত এদিন ভোকেন্দ্ৰৰ মনত পৰিল সেই সোমনাথৰ কথা। সোমনাথে কৈছিল, Spy অৰ্থাৎ চোৰাংচোৰা হোৱাটো বৰ লাভৰ কাম। চৰিয়াৰ টকা-কড়িৰ দুখ গুচে। ভোকেন্দ্ৰই বিৰবিৰ কৰি পালে—সোমনাথেতো কৈছিল যে চৰিয়াৰ ব্যৱসায় noble profession অৰ্থাৎ ওখ আৰু সন্মানৰ কাম—মইহে বেয়া বুলি ভাবিছিলো। কোনে জানে কিজানি সোমনাথেই Right মষেই Wrong ? তাৰ বাহিৰে, ভাল বেয়া বিচাৰিবলৈ খাওঁতে যে পেট সপ্ৰৱৰ্ত্তাত পৰিলহি।—নহয়, আজিৰপৰা ঠিক কৰিলো, মই নিশ্চয়কৈ Spy ৰ ব্যৱসায় কৰিম ; চোৰাংচোৰা হম, হৈ দেশৰ আৰু নিজৰ উপকাৰ কৰিম।

পঞ্চম অধ্যায়

সঁচাকৈয়ে চোৰাংচোৰাৰ ব্যৱসায় বেগেৰে চলাই ভোকেন্দ্ৰৰ ধনৰ দুখ গুচিল আৰু ধাৰ মৰিল। সেই অভিমৰ এভাৰ ব্যৱসায়ত বিমান বগা কপৰ পোহৰ পৰিবলৈ ধৰিলে তেওঁৰ মন সিমান প্ৰফুল্লিত হবলৈ ধৰিলে। অদম্য উৎসাহেৰে ভোকেন্দ্ৰ বৰুৱাই লোকৰ কল-তল, বাঁহ-তল, ঢেকিশাল, পিৰালি-চুক আদিত গুপ্তভাৱে ফুৰি গবেষণা আৰু অনুসন্ধান কৰি তাৰ বৃত্তান্ত যোগাৰ লগীয়া ঠাইত যোগাবলৈ ধৰিলে। ভোকেন্দ্ৰৰ ভয়ত অসমৰ মানুহ, খাইকৈ যোৰহাটৰ মানুহ ত্ৰস্ত হৈ পৰিল।

কৃতজ্ঞতা ভোকেন্দ্ৰৰ চিৰকলীয়া স্বভাৱ। তেওঁৰ সুখৰ কালতো বন্ধুৰ সোমনাথলৈ তেওঁ পাহৰা নাছিল। সিদিনা ভোকেন্দ্ৰই সোমনাথলৈ লিখা চিঠি এখনৰ নকল তলত দিলো।

"ভাই সোমনাথ,

এতিয়া ভালকৈ বুজিলো যে তুমি Right মই Wrong। মাজতে মোৰ বৰ দুখ গল। কিন্তু তোমাৰ বুধিমতে এতিয়া চলি মই সুখে স্বচ্ছন্দে আছো। এতিয়া মই নিজৰ আৰু দেশৰ উপকাৰ দুইটা কৰিব পৰা হৈছো। মই অগুণকাৰী নহওঁ। তোমাৰ শলাগ লৈ তোমালৈ এই কুৰি টকাৰ নোট এখন এই ৰেজিষ্টৰি চিঠিৰ ভিতৰতে পঠিয়ালো, গ্ৰহণ কৰি তোমাৰ পুৰণি বন্ধুক সুখী কৰিবা।"
সাতদিনৰ পিছত সোমনাথৰপৰা ভোকেন্দ্ৰই এই উত্তৰ পালে।—

"ভাই ভোকেন্দ্ৰ,

তোমাৰ চিঠি পাই সন্তোষ পালো। তুমি পঠিওৱা ২০ টকাৰ নোটখন এই চিঠিৰ লগতে তোমালৈ ওভতাই পঠিয়ালো ; কাৰণ শাকে ভাতে এক ৰকমকৈ খাই থাকি টোক্-টোক্-টাক্-টাক্‌কৈ চলিবলৈ মোক ঈশ্বৰে অলপ সামৰ্থ্য দিছে, সেইদেখি তোমাৰ 'Noble Profession-ৰ' দ্বাৰাই উপাৰ্জ্জিত টকাৰ ভাগ মোক নালাগে। তুমি সুখে থাকিলেই মোৰ সন্তোষ। তুমি সেই ব্যৱসায়তে নিজৰ আৰু দেশৰ উপকাৰ কৰি গৈ থাকা, নৰবা।"

উত্তৰটো পাই ভোকোন্দায়ে বৈণীয়েকক মাতি আনি চিঠিখন পঢ়িবলৈ দি কলে, "দেখিছ চম্পু—সোমনাথৰ বিবেচনাটো দেখিছ ? মোক সি insult কৰিলে, অপমান কৰিলে। মই চোৰাংচোৰা হওঁ যদি তাক ইয়াৰ পোটক দিম।"

ভোকেন্দ্ৰ বৰুৱাৰ অন্তৰ্জলীয়া

প্ৰথম অধ্যায়

চোৰাংচোৰাৰ ব্যৱসায়ত পইচা নাইকিয়া হ'ল। আমাৰ ভোকেন্দ্ৰ বৰুৱা চোৰাংচোৰাই দ খৰৰ বাছি বাছি দিওঁতে দিওঁতে ভাত্ত লোপ আৰু মহলা ইমান সৰহ হ'লগৈ যে তেওঁৰ সেইবোৰে গ্ৰাহকসকলৰ মুখ

সেনেবাই খাবলৈ ধৰিলে। সেই দেখি গ্ৰাহক-সকলৰ ভিতৰত চোৰাংচোৱা ভোকেন্দ্ৰ বৰুৱাৰ খাটিব গ'ল, আৰু তেওঁৰ খৰিকাত দিয়া, ভজা, টেঙা আৰু আলুকীয়া খৰবেৰে সৈতে তেওঁ পাতত পৰি থাকি খাহী হৈ গোন্ধাবলৈ ধৰিলে।

ভোকেন্দ্ৰ নিৰুপায়। ভাৰতবৰ্ষত দেখা যায় যে, কোনো ল'ৰাই পঢ়া-শুনা কৰিব নোৱাৰিলে বাপেক মাকে তাক ব্যৱসায় বাণিজ্য কৰিবলৈ দিয়ে; কোনো ডেকাই চৰ্কাৰৰ ঘৰত চাকৰি নাপালে বা তেওঁ চাকৰিৰপৰা বৰখাস্ত হলে আৰু কোনো বুঢ়া অকামিলা হলে পেট্ৰিয়ট অৰ্থাৎ দেশহিতৈষী হয়। এতিয়া সেই দেখি বহুত ভাবি চিন্তি ভোকেন্দ্ৰই "পেট্ৰিয়ট" হবলৈকে থিৰাং কৰিলে। আমি আগেয়ে জানিছিলো ভোকেন্দ্ৰ অকল মহ গুৱালৰ বংশাৱতংস, এতিয়া শুনিলো তেওঁ মৰাণকুলৰও কুলপ্ৰদীপ। সেইদেখি তেওঁ শদিয়ালৈ গৈ স্বজাতিৰ কুশলৰ অৰ্থে "মৰাণ সভা" সংস্থাপন কৰি হুলস্থুলমকৰোৎ। তেওঁৰ লগত খুদ্মন কলিতা নামৰ চাপ্ৰাচী এটা, আৰু চাপ্ৰাচীৰ ককালত "মৰাণ সভা" লেখা পিতলৰ চাপ্ৰাচ এখন। শদিয়াত বক্তৃতা, পঁচা, ধৰগুনি আৰু দৰ্খাস্তৰ ধূম-ব্যাপাৰ লাগি পৰিল। মৰাণ-সকলৰ ঘৰমুৱী সিকিটো আধলিটোৰপৰা টকা পাঁচ-মহালৈকে তেওঁ ধৰগুনি পেলালে। গাঁৱৰ ৰাজহুৱা নামঘৰত তেওঁ বক্তৃতা কৰি পুৰুষক উন্মাদ আৰু তিৰুতাক বলিয়া কৰিলে। মুঠতে "সদিয়াৰ নৰ নাৰী, এৰিলন্ত ঘৰবাৰী, লৈ আমাৰ বৰুৱাৰ নাম" হ'ল। নাৰীসকলে দেশ উদ্ধাৰক বৰুৱা দেও আহিছে বুলি শুনি, তেওঁক চাবলৈ উৰুক-মুৰুক কৰি কেৰু মণি, উন্তি কৰিয়া পিন্ধি লৰি আহোঁতে কোনো-জনীয়ে একাণত হে থুৰিয়া আৰু এহাতত হে খাৰু পিন্ধিলে; কোনোজনীৰ লৰৰ বেগত গাৰ বিহা আৰু মূৰৰ খোপা শুলকি পৰিল, আৰু খোপাৰ মালতী ফুলপাহ বাটতে পৰি ৰ'ল। এজনীয়ে লৰি যাওঁতে লগৰীয়ানীহঁতক মাতিলে—"আহাঁ আই বাই সবে পদূলিক যাওঁ। ভোকোলি বৰুৱা আহে নেত্ৰ ভৰি চাওঁ" এইদৰে মতা শুনি—এজনীয়ে লৰাক পিয়াহ দিছিল, পিয়াহ দিয়া ল'ৰাক তাতে তাই এৰি লৰ ধৰিলে; এজনীয়ে গিৰিয়েকৰ পকা চুলি উঘালিছিল, তাক তাতে তাই এৰি উৰ্দ্ধশ্বাসে লৰি চাপলি মেলিলে; এজনীয়ে আনি তাঁত বৈছিল, খোৱা তাঁত তাই তাতে এৰি লৰ দিলে; এজনীয়ে গিৰিয়েকলৈ খাটিত কানি মলিছিল, আধা মলাকৈ কানি খাটি এৰি তৰা-নৰা ছিঙি লৰিল। এজনীয়ে ভাত ৰান্ধিবলৈ পা ধুইছিল, তিতা গাৰেই মহা-মহিমাৰ্ণৱ শ্ৰীযুক্ত ভোকেন্দ্ৰ বৰুৱা ডাঙৰীয়াক চাবলৈ চোঁচা ললে। তিৰুতাবিলাকৰ যেনে খিলাই হৈছিল, পুৰুষবিলাকৰো তদ্ৰূপ। আমি দেখিছিলো, এটাই তাৰ মাহেকীয়া অশৌচৰ অন্তত ডাঢ়ি খুৰাইছিল, নাপিতে এখন গালৰ ডাঢ়ি খুৰুৱা শেষ কৰি আনখন গালত খুৰ লগাব খোজোঁতেই, সি উঠি লৰ ধৰিলে। এটা গুকীয়াই গুৰে-পিঠাগুৰিয়ে জুলিয়াকৈ সানি পি খাই থাকোঁতেই বৰুৱা দেও অহা বাতৰি শুনি, মুখ ধুবলৈ নোচোৱাকৈয়ে লৰ দিলে। এটা খোৰাই এঠেঙেৰেই খোৰাই খোৰাই চেঙুকচ চেঙুকচকৈ গৈ বেগত উজুটি খাই পৰি আগদাঁত দুটা ভাঙিলে। এটা কণাই বাট বিচাৰি নাপাই খপিয়াই জপিয়াই অন্তত তাৰ শোৱাচাঙৰ তলত সোমালগৈ। এটা বেঙাই উধাতু খাই গৈ আলিৰ কাষৰ খাৱৈত পৰি মৰ্ণাগতি হ'ল। আৰু আমাৰ চিনাকি লোকাই সাধনীয়ে বাট পোনাই যাওঁতে লৰৰ বেগত ৰব নোৱাৰি, কাতীয়া মণ্ডলৰ গোহালিঘৰৰ মুখত দ'ম হৈ পৰি থকা গোবৰত ভৰি সুমাই দি তাতে ককাল-লৈকে পোত গৈ লাগি ৰ'ল। ইত্যাদি প্ৰকাৰে মানুহৰ দুৰ্গতি যি হৈছিল সেইবোৰ কিমান বৰ্ণনা কৰিবা, কিমান কৰা!

বক্তৃতাৰ অন্তত ভোকেন্দ্ৰ বৰুৱাদেৱে তেতিয়া গাঁৱৰ মানুহৰ দুখ দুৰ্গতি গুচাই দিবলৈ গাত হৈ পঁচা ধৰগুনিৰ প্ৰস্তাৱ কৰি ঠগি পাতিলে তেতিয়া প্ৰজাসকলৰ মাজত থৌকিবাথৌকি লাগি পৰিল। কোনোৱে টকাটো, কোনোৱে সিকিটো, কোনোৱে আদমহীয়াটো, কোনোৱে চৰতীয়াটো, যাৰ যি আছিল সোনা উবুৰিয়াই দি চাৰিউফালৰপৰা ঠগিত পেলাবলৈ ধৰিলে। ভজুৱা ভদী মাউতৰ হাতত ডাঙৰ চিলিমটো হে আছিল, সি স্বদেশৰ কুশলৰ অৰ্থে অনতিবিলম্বে চিলিমটোকে ঠগিত পেলালে। মধুৱাৰ কঁকালত ৰঙা সূতাৰ কটি-সূত্ৰ এডাল আছিল, দেখাৰ দেখি উছাহত সিও সেইডালকে সোনোকাই আগবাঢ়ি গৈ শৰাইত থৈ বুকু ফিন্দাই থিয় দিলে। তিলাইৰ হাতত টঙাল তুলুৱা নেলীয়া-কটাৰী এখন আছিল, ঘিমৰুৰ হাতত চচা বেত-সূত এডাল আছিল, কলাইৰ হাতত মুখতখোৱা চাদাধপাত একণ আছিল, বঙাইৰ খোচোনাত শিলিখা এটা আছিল, নদাইৰ হাতত জাল গুথিবলৈ লোৱা সূতলাহী এটা আছিল, সেই-বোৰকে সিহঁতে তৎক্ষণাৎ এৰি দেশৰ হকে ঠগিত পেলালে। তিৰোতাবোৰৰো যাৰ হাতত যি আছিল দেশৰ অৰ্থে দান কৰিবলৈ কোনেও পিছ-ভৰি নকৰিলে; যথা—এধাপইচা তৰল পইচাৰ পৰা আৰম্ভ কৰি কাণৰ কৰীয়ালৈকে সকলোবোৰ গাঁৱলীয়া সুন্দৰীহঁতে দিলে। মূৰত এপাচি চুলিৰে জাপৰী সাজতোলানীক কোনে নিচিনে? সাজতোলানীৰ মূৰত চুলি যিমান ওকণীও সিমান। জহ যায়, জাৰ আহে, দিন যায়, ৰাতি পুৱায়, তথাপি সাজতোলানীৰ মূৰৰ পৰা হাত নাযায়। বৰুৱাদেৱৰ মাৰণ স্তম্ভন উচ্চাটন বশীকৰণ "বক্তৃতা" শুনি স্বাইৰ গাতও

সেওধনি উঠিল। ঠিক এনে সময়তে তাই মুখখেপিয়াই খিচ্চা ওকণী এটা ধৰিছিল। বাইজে হাত উবুৰিয়াই নিজৰ দেশৰ অৰ্থে দান কৰা দেখি আগ পিচ নুগুণি তাই বাইজৰ লগতে আগবাঢ়ি গৈ সেই খিচ্চা-ওকণীটোকে লাহেকৈ ঠগিত পেলালে। আমাৰ বক্তা বৰুৱা ডাঙৰীয়াই এই কাৰ্য্য দূৰৈৰপৰা দেখি আছিল, কিন্তু সাজতোলনীয়ে কি দিছে তেখেতে মণিব নোৱাৰি ভাবিলে তাই আঙুলিৰপৰা আঙঠিটো সোলোকাই ঠগিত পেলালে। তৎক্ষণাৎ তেওঁ স্বদেশ-প্ৰেমত আকুল হৈ উচ্চস্বৰে মাত লগালে—"বাইজ-সকল! দেখক! এই নিঃকিন দে হিতৈষী মহিলাই নিজৰ জন্মভূমিৰ হকে, নিজৰ মানুহৰ উপকাৰৰ অৰ্থে হাতৰ আঙঠিটি পৰ্য্যন্ত অকাতৰে দান কৰিলে। অহো! এই মহৎ আদৰ্শৰ অনুকৰণ কৰা আৰু এই ওখ আহি মতে চলা সকলোৰে কৰ্ত্তব্য। এই কাৰ্য্য দেখি আজি মোৰ প্ৰাণ আনন্দ-সাগৰত নিমগন হৈছে।" জাপৰী সাজতোলনীৰ দানটোৰ বিশেষ ভাবে এনেকৈ উল্লেখ কৰা বাবে গেছেলা গাঁওবুঢ়াৰ মনত বৰ কৌতূহল উপজিল। সেইদেখি সেইটো কেনে লো আঙঠি চাওঁ বুলি তেওঁ আগবাঢ়ি গৈ ঠগিত ভালকৈ লক্ষ্য কৰি দেখিলে যে, সেইটো আঙঠি নহয় এটা বিচ্চা ওকণীহে বগাই ফুৰিছে। তাকে দেখি তেওঁ বাইজৰ আগত আঠু লৈ কলে—"বাইজসকল! সাজতোলানীৰ আঙঠিটো দেখোন বিচ্চা ওকণী হৈ লৰি ফুৰিছে।" এই কথাত সকলোৱে বং পাই গিৰ্জনি মাৰি হাঁহিবলৈ ধৰিলে। বৰুৱাদেৱে তেতিয়াহে কথাটো ভালকৈ টং কৰিব পাৰি, সেইটোৰ বিষয়ে আৰু একো নকৈ আন কথাৰে তাক ততালিকে ঢাকি পেলাই লেঠা মাৰিলে।

জাপৰী সাজতালানীৰ লগত জীয়েক কেতেকীও সভালৈ গৈছিল। কেতেকীৰ বয়স যোল বছৰ তিনি মাহ তিনি ঘণ্টা তিনি মিনিট। মাকৰ দানৰ পিছত কেতেকীয়েও যথাসৰ্ব্বস্ব কিবা এটা সম্প্ৰদান কৰিবলৈ মনতে তিল-কুশ ললে। কিন্তু এই দান মৰাণ সভাৰ ঠগিত নহয়, সভাৰ পতি ভোকেন্দ্ৰ বৰুৱাৰ চাপ্ৰাচী খুদমনৰ মন-ঠগিত হে। মাকৰ বিহাৰ আচলত ধৰি কেতেকী সেই সভাত উপস্থিত হোৱাৰ কালৰেপৰা খুদমনৰ নেত্ৰ-ভ্ৰমৰে কেতেকীৰ ৰূপ মধু পান কৰি আছিল। কেতেকীৰো ডাঙৰ ডাঙৰ টেলেকা চকু দুটা খুদমনৰ বুকুৰপৰা ওলোৱা প্ৰেম-সুৰুঙাৰ জৰীয়ে টানি আনি বন্দী কৰি থৈছিল। ইয়াৰ পিছত সভাৰ হাই-উৰুমি বক্তৃতা আদিলৈ খুদমন আৰু কেতেকীৰ চকু কণা হ'ল, কাণ কলা হ'ল। কবিয়ে সেইদেখি হে গাইছে—"প্ৰেমৰ ফান্দ পাতা ভুবনে। কে কোথা ধৰা পৰে কে জানে।"

সি যি হওক, বৰুৱাদেৱে এইদৰে বহুত টকা তুলি গোটাই লৈ মৰাণ সভাৰ প্ৰতিনিধি হৈ লাট চাহাবৰ আগত "মেমোৰিয়েল" দৰ্খাস্ত দিবলৈ ডাক জাহাজৰ প্ৰথম শ্ৰেণীত উঠি ভটীয়াই মাঘৰ পহিলা তাৰিখে কলিকতা পালেহি। খুদ্মন চাপৰাচীয়েও তাৰ মনৰ সমানে একান শদিয়াতে সি এবি থৈ বাকী কালেৰে তেওঁৰ লগত আহিল। কলিকতাত ভোকেন্দ্ৰ বৰুৱা ১৫ দিন আছিল। এই কেইদিনৰ কাৰ্য্যৰ বিৱৰণ অতি সংক্ষেপকৈ তলত দিয়া গল,—

১ মাঘ —পুৱা ১১ বজাত কলিকতাবাসী অসমীয়া ছাত্ৰৰ "মেচ"ত ভোকেন্দ্ৰ বৰুৱাৰ উপস্থিতি। দুপৰীয়া ১২ বজাত তেওঁৰ ভোজন; ১ বজাত শয়ন; আবেলি ৩ বজাত জাগৰণ; ৫ বজাত ভ্ৰমণাৰ্থে বহিৰ্গমন।

২ মাঘ,—পুৱা গঙ্গাস্নান। দুপৰীয়া যাদুঘৰ দৰ্শন।
খুদমনৰ ঘু-ঘুয়া জ্বৰ। ডাক্তৰৰ মতে মেলেৰিয়া।
এই উপাখ্যান লেখকৰ মতে বিৰহ-বায়ুৰপৰা হোৱা বাতিক জ্বৰ।

৩ ,, —চিৰিয়াখানা বা জু পৰিদৰ্শন।
খুদমনৰ জ্বৰ টানেই।

৪ ,, —বদ্ৰিদাসৰ মন্দিৰ প্ৰদক্ষিণ।

৫ ,, —বটানিকেল গাৰ্ডেন বা কুম্পানী বাগান ভ্ৰমণ।
খুদমনৰ জ্বৰৰ উপশম। টেম্পৰেচৰ ৯৯।

৬ ,, —ষ্টাৰ থিয়েটৰত "প্ৰফুল্ল" আৰু "চোৰেৰ উপৰ বাটপাৰিৰ" অভিনয় দৰ্শন। ৰঙ্গালয়ৰ নিষেধবৰ্জ্জিত বাহিৰত ধূম আৰু মদ্যপান।

৭ ,, —মিনাৰ্ভা থিয়েটৰত "দোললীলা" দৰ্শন। ঐ, ঐ।
"চাচীপান গোলাপী খিলি" ক্ৰয়, চৰ্ব্বন আৰু পিক্ প্ৰক্ষেপণ।

৮ ,, —কুলপী বৰফ ভক্ষণ। গধুলি পথ পৰিভ্ৰমণ।
খুদ্মনৰ টেম্পৰেচৰ ৯৭।

৯ ,, —ইডেন গাৰ্ডেন পৰিদৰ্শন, আৰু বেণ্ড বাদ্য শ্ৰৱণ।

১০ ,, —চাণ্দনি বজাৰত কোট, পেণ্ট্লুন, কামিজ, কলাৰ প্ৰস্তুতৰ অৰ্ডাৰ প্ৰদান। সখদৰলে, অৰ্থাৎ খুদ্মন লগতে।

১১ মাঘ —বাধাবজাৰত ষ্টীল-ট্ৰঙ্ক দোকানীৰ দ্বাৰাই বেছি দামত বিক্ৰয় আৰু ৰকম্বাৰ দ্বাৰাই সস্তা বিবেচিত হৈ ক্ৰয়। খুদুমনৰ "মেচৰ" ভাত ৰন্ধা বামুণটোৰে সৈতে অকলৈ আহি মুৰ্গীহাটাৰ বজাৰৰপৰা এখন ফণী, এখন আচি আৰু এচিচা সুগন্ধি গোলাপী নাৰিকলৰ তৈল কেতেকীক উপহাৰ দিয়াৰ নিমিত্তে খৰিদ কৰণ।

১২ ,,—গ্ৰেট্ ইষ্টৰ্ণ হোটেলত "টিফিন" বা জলপান। খুদুমনৰ "গোলাপী-গেণ্ডেৰী" ভক্ষণ বা চৰ্ব্বন বা শোষণ।

১৩ ,,—গৃহিণীৰ নিমিত্তে বাধাবজাৰৰপৰা ধকম্বাৰ বলয় কঙ্কন ক্ৰয়। আৰু "পাণৱালাৰ" দোকানৰপৰা খুদমনৰ পাণ চিগাৰেট্ দিয়াচলাই ক্ৰয়।

১৪ ,,—চান্দনিৰ "চুট" আনয়ন। আৰু পুত্ৰ কন্যা পৰিধানৰ নিমিত্তে ধকম্বাৰ "চেইনৰ ফ্ৰক", "জেকেট" আৰু মোজা ক্ৰয়। ওপৰোক্ত "বামুণ ঠাকুৰৰ" সাহায্যত কেতেকীৰ নিমিত্তে খুদুমনৰ "মনে ৰেখো" শাৰী ক্ৰয়।

১৫ মাঘ, —ডোকেন্দ্ৰ ৰকম্বাৰ কলিকতা পৰিত্যাগ আৰু গৃহ প্ৰত্যাবৰ্ত্তন।

সামৰণি

ৰকম্বা চাওঁৰীয়া উভতি গৈ ঘৰ পালতে খুদুমনে তেওঁৰ পৰা এমাহৰ "প্ৰিভিলেজ লিভ" অৰ্থাৎ অনুগ্ৰহৰ বিদায় লৈ শদিয়াভিমুখে যাত্ৰা কৰিলে। শদিয়া পোৱাৰ সাতদিনৰ পিচতে কেতেকীৰে সৈতে খুদুমন চাপ্ৰাচীৰ বিবাহ উৎসৱ মহাসমাৰোহেৰে সম্পাদিত হ'ল।

এইখিনিতে কোৱা উচিত যে খুদুমনৰ শাহুৱেক জাপৰীয়ে কেতেকীৰ অজ্ঞাতসাৰে তাইৰ গোলাপী নাৰিকল তেলচিচা ওকণী মাৰিবৰ মনেৰে নিজৰ মূৰত ঢালি দিলে। মহাদেৱৰ জটাৰ ভিতৰত গঙ্গা সোমাই থকা দি তেল-চিচা জাপৰীৰ চুলিৰ ভিতৰত সোমাই ৰ'ল; আৰু সম্ভৱতঃ সি আজিলৈকে তাতে কোনোবা ভগীৰথলৈ বাট চাই বসতি কৰি আছে। কেতেকীয়ে তেল পিআৰি নাপাই ভিনিসাজ ভাত নোখোৱাকৈ আছিল; পিছত খুদুমনে আৰু এচিচা তেলৰ ফৰ্মাচ দি তাৰ বন্ধু "মেচৰ" বাঙ্গালি বামুণলৈ পষ্টকাৰ্ড এটা লেখিলত হে কেতেকীক ভাত খুৱাব পৰা গ'ল।

এৰা বাৰী

মানুহে কয় বোলে ভাল আমৰ পুলিও ধকৰাপিত পৰি অজাতবীয়া হয়। লোকৰ কথা কব নোৱাৰো কিন্তু মোৰ গাত হলে এই আষাৰ কথা ভালকৈ ফলিয়াইছিল। মই ভাল মানুহৰ ঘৰৰ লৰা। ৰজাৰ দিনৰপৰা আমাৰ ঘৰ মানুহ শিৰকুটা। মোৰ উপৰি-পুৰুষসকলে ৰজাৰ দিনত আৰু কুম্পানীৰ দিনতো ভাল ভাল বিষয় খাই গৈছে। কিন্তু মোৰ ভাগ্যৰ সীমা কাছাৰীঘৰৰ বৰ-গছৰ তলতে অস্ত পৰিল। মই এজন "পিটিচন-ৰাইটৰ" মহৰী। কিন্তু এতিয়া মই ছালছিগা হলোঁৱেই বা, মোৰ মক্মকনি মট্মটনি হলে এতিয়াও যোৱা নাই আৰু যাবৰ আগন্তুকো নাই। পুৰণি বংশ গৌৰৱ-ৰোগটো মোৰ পৈতৃক ব্যাধি; দুখ দুৰৱস্থাৰ দৰৱৰ পালিয়েও তাৰ জইন মাৰিব পৰা নাই। তাহানি দেউতাৰ দিনত আমাৰ হাতী মাউত এটা আছিল। তাৰ নাম জুৰমন। তাৰ এই নামটো কোনে দিছিল কব নোৱাৰোঁ; কাৰণ তাৰ মনটো ইমান তপত আছিল যে সি সততে উতলি থাকে বুলিলেই হয়। সেইদেখি তাৰ নামটো তপত-মন হোৱাহেঁতেন তাৰ স্বভাৱেৰে সৈতে খাপ খালেহেঁতেন। সেইটো যি হওক সি বৰ নামৰ ব্যাধিত চিৰৰুগীয়া আছিল। উলামূলা বৰ নহয়, তাৰ গা গোটেইটো বৰেৰে চামনি মৰা। তাৰ বাপেককো আমি দেখিছিলো, বাপেকো পুতেকৰে নিচিনা বৰ ৰুগীয়া আছিল। বাপেকে কৈছিল বোলে তাৰ বাপেকৰো (অৰ্থাৎ জুৰমনৰ ককাকৰো) বৰ আছিল হেনো। সেইদেখি সেইটো তাৰ বাপতী-সাহোন ৰোগ আৰু সেইদেখি জুৰমনে সেই ৰোগ খেদাবলৈ বৃথা চেষ্টা নকৰি তাৰে সৈতে মিত-মাত কৰি লৈ কোনোমতে জীৱন-যাত্ৰা নিৰ্ব্বাহ কৰি আছিল। তাৰ যেতিয়া বৰত খজুৰতি উঠে তেতিয়া তাৰ দুৰ্গতি দেখিলে চকুৰ পানী ওলায়। যিদিনা বাপেক পুতেকৰ একেলগে খজুৰতি উঠে সেইদিনাৰ দৃশ্য যে কি চমৎকাৰ তাক দেখোঁতাইহে বুজিব পাৰে। এদিন মোৰ মনত আছে, বাপেক পুতেক দুয়োৰো সমসাময়িক খজুৰতি উঠিলত খজুৱাবৰ যত ৰকম উপায় আছিল এটাইবোৰ বাপ পো দুয়ো অৱলম্বন কৰি হৰি শেহত দুয়ো পিঠিয়াপিঠিকৈ থহি পিঠিত পিঠি ঘহাবলৈ ধৰিলে। সেইদেখি হে কওঁ যে মোৰ বংশ গৌৰৱৰ মেচুমটানিটোও দুৰাৰোগ্য পৈতৃক ব্যাধি, তাৰ খজুৰতি উঠিয়েই থাকে; আৰু উঠিলে মোৰ কাষত থকা-সকল সাৱধান হোৱা উচিত।

সৰুতে ভালকৈ লিখা-পঢ়া নিশিকিলো বেতিয়া পিটিচন ৰাইটৰ নহৈ নো মই আৰু কি হম ? সেই-দেখি শত্ৰুৰ মুখত ছাই দি ৰব কাছাৰীৰ দুৱাৰ-মুখৰ বৰ গছৰ তলত মই বৰ পিটিচন ৰাইটৰ হহিলো ।

কুসঙ্গত পৰা খাবে মোৰ গাত কু-অভ্যাস এটাই ধৰিলে—অৱশ্যে সেইটো বৰ ধজুৱা নহয় ; কাৰণ মোৰ গাত থবেই নাছিল । সেইটো হৈছে কানি খোৱা । ভাল মানুহৰ লৰাৰ ভিতৰত আগৰ কালত এই অভ্যাসটো যে নাছিল এনে নহয়, কিন্তু আজি-কালি কানি খোৱাটো অপ্ৰচলিত (অৱচলিত obsolete) বুলিলেই হয় । আজিকালি নিৰ্জু কানিক ষীৱন-বুঙ্গত হৰুৱাই তাৰ ঠাই উগ্ৰ ভাং আৰু ধনী ফাটকাই লৈছে । যি কাৰণতেই হওক, মই কানি সেৱন কৰি কানিতে থাকি "কনুভৰ্টেটিভ" (অনুদাৰ) কানীয়াৰ দলৰ যে শ্ৰীবৃদ্ধি কৰিলো তাত ভুল নাই । মই ওৰেদিনটো কাছাৰীৰৰ মুখৰ গছৰ তলত বহি টকাটো সিকিটো যি ঘটো তাক দায়ভাগৰ ব্যৱস্থা মতে সমানে দুভাগ কৰি এভাগ কানিৰ অৰ্থে আৰু এভাগ সপুত্ৰবান্ধৱে নিজৰ ভৰণপোষণৰ অৰ্থে ব্যয় কৰোঁ ।

লাহে লাহে মোৰ কানিৰ পৰিমাণ যিমান বাঢ়ি আহিল গছতলীয়া উপাৰ্জনো সিমান কমি আহিল । একৰ পিঠিত দুই অহাৰ দৰে তাৰ পিঠিত মোৰ ল'ৰা তিকতাৰ হা-হা-কা-কা-ৰোৰ আহিল, অৱশ্যে লগে লগে ঘৈণীৰ তিৰস্কাৰ আৰু কদৰ্থনাৰ পুৰস্কাৰ লৈ । গাত থেজেৰা মাতৰ চোক বেছি হলত, তাত সৰহকৈ কানিৰ চেচনি দিলো । মুঠতে মই মনৰ দুখ পাহ-ৰিবৰ নিমিত্তে সৰহকৈ কানি খাবলৈ ধৰিলো, এই খোলোচা কথা ।

এদিন দুপৰীয়া খাই বৈ উঠি কাণত কলমটো গুজি আৰু হাতত মৈলামটো ওলমাই লৈ কাছাৰীৰ মুখৰ বৰগছৰ তললৈ যাবলৈ যাত্ৰা কৰি ওলাইছো, এনেতে হঠাৎ এচাটি ৰবটুপীয়া ৰবমূণ আহি গা তিয়াই দিয়াৰ দৰে ঘৈণীজনাৰ মুখৰপৰা কুবাক্য এচাটি আহি মোৰ মনটো তিয়াই পেলালে । "নেযাওঁ কছাৰিলেই" "নাখাকোঁ এইখন ঘৰত" বুলি খং কৰি ওলাই গুচি আহিলো । কিন্তু কলৈ যাওঁ, কি কৰোঁ, মনত একো ঠিক নাই, যাব লাগে টি-ট কৰে বাটে বাটে গৈ আছো ।

ভাদেখিনি বাট গৈ আলিৰ কাষতে এখন এৰা-বাৰী দেখিলো । কোনে বাৰীখন এৰি তাৰ গাত "এৰা-বাৰী" এই বদনামৰ চেকা সানিলে কোনে জানে ? দুপৰীয়াৰ ৰ'দ । বাৰীখনৰ ভিতৰত ওখ ঘৰৰ ভেটি এটাৰ কাষতে এজোপা থেৰেজু গছ দেখিলো । ভেটিটোত থেৰেজু-গছজোপাৰ ছাঁ পৰিছে, আৰু সেইখিনিতে বাঁহ বনো ৰব নাইকিয়া ; সেই দেখি তাতে জুৰ লৈ গাটো শতাই লৰৰ মনেৰে সোমাই গৈ লাহেকৈ বহি পৰিলো ।

থোপাটিহঁতৰ মাকৰ মুখৰ চোকা কথাৰ চেক্-চেকনি তেতিয়াও মোৰ মনৰ পৰা যে একেবাৰেই গৈছিল এনে নহয় ; সেইদেখি চোলাৰ মোনাৰপৰা কানিৰ টেমাটো উলিয়াই তাৰপৰা কানিৰ বৰি এটা লৈ টিপামাৰি গিলি থলো । কানিৰ বৰিটো অলপ বুজন আছিল সেই । ফলত, বাগিটোও আন দিনতকৈ বুজন হ'ল ; আৰু সেইখাবে মোৰ সোনকালে চকু জাপ খাই গ'ল ; আৰু সোপাত কানীয়াই যি অভৰ টোপনি টোপনিয়ায় সেই জতুৱা টোপনিকে টোপনি-য়াবলৈ ধৰিলো । এই টোপনিয়ে মোৰ বাহিৰৰ চকু দুটা মুদাই ধৰি ভিতৰৰ চকু দুটা মেলি দিলে ; বাহিৰৰ কাণ দুখনত সোপা দি ভিতৰৰ কাণ দুখনৰ বিদ্ধা খৰিকাই দিলে ; ফলত, মই অমাতৰ মাত শুনিলো, অবুজৰ অৰ্থ বুজিলো, ছালৰ চকুৰে নেদেখা বস্তু দেখিলো, গছ্ গছনিৰ কথাৰ ভাগ লব পৰা হলো আৰু সিহঁতৰ সুখ দুখেৰে সৈতে নিজৰ সুখ দুখৰ জৰী পকাই দীঘলীয়াকৈ খাটি লৈ যাব পৰা হলো ।

থেৰেজুজোপাৰ সমুখতে ভেটিটোৰ ইপাৰে এজোপা আম গছ আছিল । আমজোপাৰ ডালতে এটা হুদুৰে বাহ লৈছিল । থেৰেজুৱে আমলৈ চাই মাত লগালে— "খোলো শুনিছা নে ভাইটি কিমান নো খোদ্‌খোদ্‌কৰে বহি থাকা দেও হে ; কথাৰাৰ্ত্তাকে একেৰাৰ কোৱা । বতাহ কাষলৈ নাহিলে দেখোন তোমাৰ আমন জিমনেই লাভাগে ; খোলো তোমাৰ কান্ধত উঠি টিবিলবিলোৱা সেইজন কলৈ গল ? আজি দেখা নাই চোন ?"

আম ।—"কাৰ কথা শুধিছা ? অ' বুজিছোঁ, আমাৰ হুদুগুদু ডাঙৰীয়াৰ ? ইয়াত দুপৰৰ ৰদ টানকৈ পৰিছে দেখি তেওঁ উৰি গৈ সেই ডাঠ ছাঁৰে বাঁহৰ চাৰিত লুকাই আছে গৈ । কিন্তু সঁচাকৈ কৈছো ককাই, মই লোক চিনিব নোৱাৰোঁ ; আগেয়ে তাক এনে বুলি জনাহেঁতেন মই মোৰ ইয়াত বাহ লবলৈ নিদিলোহেঁতেন ।"

থেৰেজু—"তুমি তো চিনিব নোৱাৰাই । মই কিন্তু তাক হাড়ে হাড়ে চিনি পাওঁ । সেইদেখি মোৰ ওচৰত সি সুখ নাপায় । একালত এই-ৰব মানুহৰপৰা সি কত উপকাৰ পাইছিল, এই ৰবৰ ৰহতে যে সেই অপুণকাৰীয়ে কত খালে তাৰ সীমা সংখ্যা নাই ; তথাপি মানুহৰ যেই মৰিশাজি উচ্ছন হল, তাৰ আহলাদ চাই কোনে ? তাৰ উপৰি, সি সুবিধা পালেই যাবে তাবে আগত মানুহৰৰ বদনাম কয় । অতি ছোট লোক । ৰব নিমখ-হাৰাম ।"

আম ।—"ভাল কথাটো ওলাইছে ;—ককাই তুমি ইয়াত অনেক কালৰ পৰা আছা ; মোৰ তো সেইদেৰ

কথা তুমি জানাই। মোক এটা কথা কব পাৰা নে? মই দিনৌ শোধো বুলি আছোঁ, সুধিবলৈ চল পোৱা নাই।"

"খোলো এইবোৰ মানুহ নো এনেকৈ উছন হল কিয়, তুমি কব পাৰা নে? তুমি ইয়াৰ প্ৰাচীন বাসিন্দা, তুমি নিশ্চয় জানা!"

থেৰেজুৰ গাতে কপৌ-ফুল এজোপা আছিল। আমৰ কথা শুনি সিও মাত লগালে,-"মইো এই কথাটো সদাই শোধো শোধো বুলি ভাবি আছোঁ। আজি ভালেই হল আমাৰ আম ককায়েই সুধিলে। মোৰাই, কোৱাচোন কোৱঁা শুনো। সঁচা কথা কবলৈ গলে, এই ঘৰৰ পুৰণি ভেটিবোৰ দেখিলে মোৰ এনে বেয়া লাগে তাক কি কম! একো একো দিনা সঁচাকৈয়ে মনত কিবা দুখ লাগি মোৰ কান্দোন ওলায়। কিন্তু কিয় যে কান্দোন ওলায় ভালকৈ একোটো বুজিব নোৱাৰো।" এই কথাৰ ওৰ পৰিলত দেখা গল, কপৌফুলজোপাৰ সৰু সৰু চকুবোৰ লোৰে চুলচুলীয়া হৈছে। থেৰেজুৰে কলে,-"শুনিব খুজিছা যদি শুনা; কিন্তু কবলৈ মোৰ বৰ বেজাৰ লাগে। সি আজি ভালেমান দিনৰ কথা। তেতিয়া মই লৰা, পাচঁ কি ছবছৰীয়া। আম বোপাৰ জন্মই হোৱা নাই। এই ঘৰৰ গৰাকীজন বুঢ়া পকা থেকেৰাটো যেন আছিল। তেওঁৰ মুখ খন পুণ্যৰ তেজত ফাটি-যাওঁ ফাটি-যাওঁ যেন দেখিবলৈ আছিল। তেওঁক সকলোৱে দেউতা বুলি মাতিছিল, মইও মাতিছিলো। অৱশ্যে এইটো নকলেও হব যে মোৰ মাত তেওঁ নুশুনিছিল, নুবুজিছিল। আমাৰ জাতৰ প্ৰাণীৰ মাত মানুহ জাতৰ প্ৰাণীয়ে নুশুনে নুবুজে। আৰু গোলমালৰ গুৰিও সেই খিনিতে হে। শুনাহেঁতেন, বুজাহেঁতেন এই পৃথিৱীত কত পাপ আৰু অধৰ্মৰ কাৰ্য্য কমি গলহেঁতেন। যাওক সেইবোৰ কথা। — দেউতাৰ পুণ্যৰ বলত ঘৰখনত ধন ধান্যেৰে ওপচ খাই আছিল। খাৰীত শাক পাচলি আম কঁঠাল লেটেকু পনিয়লেৰে উভৈনদী। দেউতাৰ লখিমী হাতেৰে তেওঁ যতে বিহকে ৰুইছিল, যতে বিহকে গুজিছিল সিয়েই ঠন ধৰি খাড়ি লহপহীয়া হৈছিল। মোকো দেউতায়েই তেওঁৰ ধৰম-হাতেৰেই তেওঁৰ ঘৰৰ পিৰালিৰ কাষতে ৰুইছিল আৰু নথৈ যত্ন কৰি বঢ়াইছিল। দেউতাৰ তিনিজন পো। ঘৰৰ বৈণীজনা আগেয়েই ঢুকাইছিল; মই দেখিবলৈ পোৱা নাছিলো। বৰ আৰু মাজুজন পুতেকলৈ আগেয়েই ছোৱালী খিয়া কৰোৱা হৈছিল; অৱশ্যে তেতিয়া মোৰ জন্মই হোৱা নাছিল। সৰু ককাইদেউলৈ হে বিয়া কৰোৱাৰ কথা মই কব পাৰোঁ। এই খিনিতে কওঁ যে দেউতাৰ তিনিজন পুতেকক মইও বৰ ককাইদেউ, মাজু ককাইদেউ, সৰু-ককাইদেউ বুলিছিলো। কাৰ ঘৰৰ-পৰা, এতিয়া মই পাহৰিলো, ৰূপহী ছোৱালী এজনী দেউতাই সৰু-ককাইদেউলৈ খিয়া কৰাই আনিলে। সেই বিয়াখন মোৰ আজিলৈকে মনত আছে। ঢোলে-ডগৰে খোলে-তালে দোলাই-হাতীয়ে যে কি এখন ডমসাৰ খিয়া হৈছিল কি কম। সাদিনীয়াকৈ পানী তুলি খিয়াখন পাতিছিল। খোৱাবী-য়েকক ঘৰলৈ অনাৰ তিনি মাহৰ পিছত মাটৰত পৰি সৰু-ককাইদেউৰ মৃত্যু হল। অকস্মাৎ ঘটা এই মহা বিপদ ঘৰখনত বজ্ৰ পৰাদি পৰিল। আহা দেউতাৰ কি শোক। কি বেজাৰ। কান্দোন চিঞৰে ঘৰখনত কোঢ়াল; কিন্তু দেউতাৰ চকু শুকান। একোটা হুমুনিয়াহ আৰু একাষাৰ আদ আষাৰ ঈশ্বৰৰ নামৰ বাহিৰে তেওঁৰ মুখত আন কথা নাই। তেওঁৰ ধীৰ অলৰ অচল মূৰ্ত্তি যেন। আগতকৈ আৰু ধীৰ অলৰ অচল হল। কিন্তু তেওঁৰ ফালে ভালকৈ নিৰীক্ষণ কৰি মই ফট্‌ফটীয়াকৈ দেখিবলৈ পালো যে মুখ খনত তেওঁৰ যিমানেই প্ৰশান্ত ভাব, বুকুৰ ভিতৰত সাতকুৰা অগণি। এদিন কিন্তু তেওঁ মোৰ ওচৰত ধৰা পৰিল দেই। সেই দিনা পুৱা-মোৰ ঠিক মনত আছে, সৰু-খিহুৰ দিনা সৰু খোৱাৰীয়েকৰ হিয়া-ভাগি-যোৱা কান্দোন শুনি তেওঁ ঘৰৰ ভিতৰৰপৰা ওলাই আহি মোৰ তলতে থিয় হলহি। ওচৰত আন কোনো নাছিল। দেখিলো দেউতাই উচুপি কান্দিছে; কিন্তু কোনোবাই দেখে বুলি ততালিকে তেওঁ চকুৰ পানী মচি থিৰ হৈ শাকনি-খাৰীত শাক চাবলৈ সোমোৱাদি সোমাল। মানুহে আমাক কাঠ-কঠুৱা খোলে; কিন্তু আমাৰ কাঠ-শৰীৰৰ ভিতৰত যে কি কোমল প্ৰাণ আছে মানুহে নাজানে। দেউতাৰ এই শোক দেখি সেই নিৰ্দোষী আজলী ছোৱালী সৰুবোৰ মৰ্ম্মভেদী কান্দোন শুনি, সত্যে কৈছোঁ, তেতিয়াই মোৰ আপোন ঘাতী হৈ মৰিবাৰৰ মন গৈছিল; কিন্তু নোৱাৰিলো। বিধতাই আমাক সেই ক্ষমতা নিদিলে। এই শোকৰ পিছত দেউতা আৰু সৰহ দিন জীয়াই নাথাকিল। বুকুৰ ভিতৰত জলি থকা অগণিয়ে তেওঁক ছমাহৰ ভিতৰতে দহি শেষ কৰিলে। সৰু বৌ এই ঘৰতে থাকিল; কাৰণ, তেওঁৰ বাপেক মাক নাছিল; মাথোন বেলেগতীয়া ককায়েক এটা আছিল যি কোনো জন্মত ভনীয়েকৰ ভুকে নলয়।

"প্ৰথম প্ৰবল শোকৰ ধল শুকাই গলত শোকৰ যন্ত্ৰণা সৰুবৌৰ হৃদয়ত তুঁহজুই জুলাদি জলিবলৈ ধৰিলে। তেওঁৰ পোহৰ মুখৰ জেউতি মলিয়ন হল, হাঁহি-মুখ বিষাদে আৱৰি ধৰিলে, চকুত বেজাৰৰ কলা ৰেখা পৰিল।

"কিন্তু ভাইটি, এই পৃথিৱীত একো চিৰস্থায়ী নহয়। শোকতো সেই কথা খাটে দেখিছোঁ। এবছৰ মানৰ মূৰত সৰু-বৌৰ শোকৰও ভালেমান সলনি ঘটিল।

আৰকালিৰ শেহত আমাৰ ন কুঁহি পাত মেলাৰ দৰে তেওঁৰ মনতো দুই চাইটো আনন্দৰ কুঁহিপাতে দেখা দিয়া দেখিলো। যেন তেওঁৰ মুখত থকা মেঘাৰৰ আঁকৰোৰ বঙৰ আঙুলিয়ে ধৰ পুৰুষার্থ কৰি মচি দিবলৈ চেষ্টা কৰি আছে। ঈশ্বৰৰ এই আশ্চর্য্য সৃষ্টিত দেখিছোঁ সকলোৰে লবচৰ হয়। মই কিন্তু এইবাবে সকলোৰ গাত দোষ নিদিওঁ দেই ; কাৰণ, গছৰ কুঁহি পাত আৰু কপহ ফুল অকল গছৰ চেষ্টাতে নেমেলে নুফুলে বুলি মোৰ বিশ্বাস, বসন্তৰো তাত সৰহখিনি হাত আছে। বসন্তৰ সুশীতল ফুলেহে ফুলাই গছৰ কুঁহি পাত আৰু কপহ ফুল ফুলাই দিয়ে বুলি মই ভাবো। এই ধৰ্ম্মিষ্ঠা সতী শান্তিৰ মনত সাংসাৰিক সুখৰ অবৈধ স্পৃহা উচৰচুবুৰীয়া দামোদৰ বৰপূজাৰীৰ ডেকা পুতেক ভোগদত্তই হে যে জগালে এইটো ভালকৈয়ে দেখিবলৈ পোৱা গল। ভোগদত্তক আমাৰ দেউতাই নিজৰ পুতেকৰ নিচিনাকৈ মৰম চেনেহ কৰিছিল। সি দিনে ৰাতিয়ে আমাৰ ঘৰলৈ আহি থকা ঘৰুৱা মানুহতকৈও সাতছাৰ আছিল। কিন্তু শেহত যে সি আমাৰ ঘৰ মানুহৰ ধাৰ এনেকৈ শুজিব, কোনে জানিছিল ? যাওক সেইবোৰ কলঙ্কৰ কথা খখানি আজি আৰু মোৰ মুখ ছুৱা কৰিবৰ মন নাই। সেইবোৰ কথা এতিয়া মনত পৰিলেও প্ৰাণ কাটি যায়, আমঠু কলা পৰে। মুঠতে কওঁ যে পুহ মহীয়া পুৱা দুবৰিপাতৰ আগৰ আগত থকা নিৰ্ম্মল মুকুতা মণিটি যেন সকলোক পাপীষ্ঠ বিশ্বাসঘাতক ভোগদত্তই এদিন পাপৰ পাটনাদত পেলাই দি তেওঁৰ সৰ্ব্বনাশ কৰিলে ।

"মানুহৰ সংসাৰ কি কঠোৰ। মানুহৰ অন্তৰ কি নিষ্ঠুৰ। মানুহৰ বিচাৰ কি দুৰ্দ্ধোৰ। তাত দয়া নাই, চেনেহ নাই, বিবেচনা নাই, মৰম নাই। ইহঁত হেনো আকৌ পশুতকৈও শ্ৰেষ্ঠ, আমাতকৈও ওখ শাৰীৰ। ইহঁতে ঈশ্বৰৰ ওপৰত ন্যায় বিচাৰ বিচাৰে, নিজৰ সকলো দোষৰ ক্ষমা মাগে, কিন্তু ইটোৱে সিটোক বিচাৰৰ নামত অবিচাৰ অত্যাচাৰ কৰে, ক্ষমা কৰিব নোৱাৰে। দুৰ্ব্বল সকলোৰ পাপৰ ফল প্ৰকাশ হলত তেওঁক ঘৰৰপৰা উলিয়াই খেদি দিয়া হ'ল। লাজ অপমান দুখৰ টোপোলা বান্ধি তেওঁ এইখন ঘৰৰ পৰা কেলেহুৱা কুকুৰৰ দৰে পলাই গ'ল। কিন্তু কলৈ যাব ? তেওঁৰ কোন আছে ? মানুহৰ সমাজ তেওঁৰ নহয়। এই পৃথিৱীৰ সুখ সম্পদ তেওঁৰ নহয়। সকলোৱে হাজাৰখন হাতেৰে তেওঁক দূৰলৈ খেদাই দিছে, হাজাৰখন মুখেৰে ছেই ছেই কৰিছে। মাতিছে মাথোন এজনে হাত বাউলি দি। বাওঁতে বাওঁতে বেছেৰীয়ে লৌ যে বিণিকি বিণিকি দেখা গৈছে সেই পুখুৰীটো দেখিলে,—এজনে মজাদি পুখুৰীটোৱেও তেওঁক হাত বাউলি দি মাতিছে। পুখুৰীটোৱে দুখুনীৰ কলঙ্ক ঢাকি দুখুনীক আশ্ৰয় দিব খুজিছে। নিঃসহায়ক এনে সহায় দান, বন্ধুহীনক এনে আন্তৰিক আহ্বান কোনে অস্বীকাৰ কৰিব পাৰে? নিমিষতে সকলোৱে জাঁপ মাৰি পুখুৰীৰ বুকুত আশ্ৰয় ললে আৰু সেই পাৰ্থিৱ কলঙ্কিত জীৱনৰ ওৰ পেলালে. আৰু তেওঁৰ সৰ্ব্বনাশৰ মূল ভোগদত্তই"—

ওচৰতে থকা আশোকজুপিয়ে এই আখ্যানটো শুৰিবেপৰা একান্তমনে শুনি আছিল। যদিও অশোকে তেওঁলোকৰ কথা বাৰ্ত্তাত তেতিয়ালৈকে যোগ দিয়া নাছিল তথাপি এইবাৰ উত্তেজিত হৈ মাত লগালে,—"পাষণ্ড নিশ্চয় ভিজিত চিপজৰী লগাই মৰিল।" এনেতে খেৰেজুৰ জলৰ শুকান পাতত টপ্ টপ্ কৰে কিবা পৰা যেন শুনি চাই দেখিলো খেৰেজু গছৰ গাত ওলমি থকা কপৌ ফুলজোপাৰপৰা টোপা টোপাকৈ পানী পৰিছে। বুজিলো ব্যাপাৰটো কি। খেৰেজুৱে মাত লগালে–"তেনে হোৱাহেঁতেন তো ঠিকেই হলহেঁতেন কিন্তু দুখৰ বিষয় নহল। শুনিবা নে তাৰ কি হল? সি নির্দ্দোষী প্ৰমাণিত হল। তাৰ গাৰ নোম এডালতো কোনেও হাত দিব নোৱাৰিলে। যাওক সেইবোৰ অনেক কথা। ইয়াৰ পিছত ভোগদত্তই ভাল কুলীয়া ভাল মানুহৰ ঘৰৰ ছোৱালী এজনী বিয়া কৰাই সমাজত এজন লেখৰ মানুহ হৈ থাইবৈ ফুৰিবলৈ ধৰিলে। সচাঁকৈয়ে কৈছোঁ, সেই দিনা ধৰি মানুহ জাতিটো মোৰ চকুৰ কুটা দাঁতৰ শাল হল। মানুহৰ মাতে মোৰ কাণত কোট্‌কোৱা কাঁইটে বিন্ধাদি বিন্ধে। হে ঈশ্বৰ। মোক যেন মোৰ জীৱনৰ থাকী কেইটা দিন মানুহৰপৰা আঁতৰাই ৰাখা।" এনেতে অশোকজুপিয়ে চকু টিপিয়াই খেৰেজুক মোৰ ফাললৈ দেখুৱাই দিলত খেৰেজুৱে আত্মসংযম কৰি আকৌ আৰম্ভ কৰিলে,- "ইয়াৰ এবছৰৰ ভিতৰতে মাউৰে মানুহৰৰ মাৰি উছন কৰিলে। থাকী বল,–ঘৰৰ সেই ভোটটো, হুদুটো আৰু মোকে আদি কৰি এই এবা বাৰীৰ গছ-গছনিবোৰ।" আমজোপাই সিফালৰপৰা মাত লগালে-"ঈশ্বৰ আছে।" অশোকে মূৰ দুপিয়াই কলে,—"নিশ্চয়।"

এনেতে কোনোবাই মতা শুনিলো,-"দেউতা, আপুনি কেছাবীলৈ নগৈ আইৰ ওপৰত খং কৰি এবাবাৰীৰ গছৰ তলত মনে মনে শুই আছেহি। আপুনি খংকৈ শুচি অহা দেখি আয়ে মোক আপোনাক মাতি-বুলি লৈ যাবলৈ পঠিয়াই দিলে। আহক, আহক, ঘৰলৈ আহক, আৰু খং কৰিব নালাগে।"

চকু মেলি চাওঁ দেখোন মোৰ ঘৰটো লৰা।

ঘণ্টাকৰ্ণ শৰ্ম্মা

প্ৰথম আধ্যা

একুৰি পাঁচ বছৰ আগেয়ে বংখং চাহ বাগিচাৰ 'মিচ্ মিচ্' হোৱা খৰমহৰী শ্ৰীযুত ঘণ্টাকৰ্ণ শৰ্ম্মা যে কলিকতালৈ আহিছিল এই কথা অনেকে নাজানে। যি জানিছিল সেইসকলৰ ভিতৰত অনেক কালক্ৰমত মৰি-হজি চুকাই নাইকিয়া হল ; আৰু যি এজন-আদজন আছে তাৰো লেখ চুকুৱাৰ নিচিনাই হলহি। ঘণ্টাকৰ্ণৰ কলিকতা পৰিভ্ৰমণ আৰু পৰিদৰ্শনৰ বিৱৰণ জানি, নমৰি থকাৰ শাৰীৰ এজন স্বয়ং এই উপাখ্যান লেখক। কোনে জানে কিজানি এই উপাখ্যানটো চুম্বককৈ লিপিবদ্ধ কৰিবৰ নিমিত্তে হে এই কেইটা দিন ঈশ্বৰে লেখকক জীয়াই ৰাখিছে। একেখাৰেই উপাখ্যানটোৰ মাজতে জপিয়াই পৰি কোৱা যাওক যে শ্ৰীযুত ঘণ্টাকৰ্ণ শৰ্ম্মা খৰমহৰী এছোৱা বাট জাহাজেৰে আৰু আনছোৱা বাট ৰেলেৰে কলিকতালৈ আহিছিল। তেওঁক অনা ৰেলগাড়ীখন যেতিয়াই কলিকতাৰ শিয়ালদহ ষ্টেচনত হুচ্হুচ্-ভচ্ভচ্ কৰে ওলালহি, ঠিক কাক-তালী সংযোগৰ দৰে, অসমীয়া ছাত্ৰৰ "মেচ" নিবাসী শ্ৰীমান বিদ্যাধৰ শইকীয়াও সেই গাড়ীৰ দুৱাৰ মুখত ভডালিকৈ থিয় হলগৈ। অৱশ্যে এই সংযোগ বিজুলী ডাকৰ বাতৰিৰ ফল, দৈৱিক বা আকস্মিক ঘটনাৰ নহয়। বিদ্যাধৰ ঘণ্টাকৰ্ণৰে সৈতে চিনাকি বিষয়ত ঘণ্টাকৰ্ণৰ পৈতৃক সম্পত্তি বুলিব পাৰি। বিদ্যাধৰৰ বাপেকক ঘণ্টাকৰ্ণই চিনে, সেই সূত্ৰতে বাপেকৰ পুতেক বিদ্যাধৰকো ঘণ্টাকৰ্ণই নিচিনি নাথাকে। খোলা কথা, বিদ্যাধৰে ঘণ্টাকৰ্ণ অহাৰ বাতৰি বাপেকৰ পৰা বিজুলী-ডাকত আগেয়ে পাইছিল। সি যি নহওক, বিদ্যাধৰক ঘণ্টাকৰ্ণই ষ্টেচনত দেখিয়েই বং পাই মাত লগালে—"হঃ বোপা বিদ্যাধৰ! তুমি আহিছা ?" বিদ্যাই উত্তৰ দিলে—"হয় আহিছোঁ। আপোনাৰ লগত আৰু কোনোৱা আহিছে নে ? মাল-বস্তু কত ?"

ঘণ্টাকৰ্ণ—"মোৰ লগত মোৰ লগুৱাটো আহিছে। সেই মধুৱা। তাক তুমি চিনাই হবলা ? সি আমাৰ গাড়ীৰ নামনি কাজৰ তৃতীয় শ্ৰেণীতে থৰ্ থৰ্ কৰে নিশ্চয় বহি আহিছে। মই দ্বিতীয় শ্ৰেণীতে আহিলোহে বোপা ; তৃতীয় শ্ৰেণীত বহুত সৰু মানুহ আছে, সিহঁতৰ গাৰ ভেকেটা-ভেকেটা গোন্ধত ভাত লোৱাখই লোৱাৰি। আৰু তাত আহিলে মানো নাথাকে। তাক মাত লগোৱাঁচোন মধুৱা বুলি।"

বিদ্যাধৰে মধুৱাক বিচাৰি যাওঁতেই ঘণ্টাকৰ্ণই তেওঁৰ কোঠালিৰ পৰা মাৰি বিজিৱাবলৈ ধৰিলে—"মধুৱা ঔ! মধুৱা ঔ! কটা নামি আহ, কটা তোৰ বাপেৰৰ ঘৰৰ গাড়ীখন পাইছ নে কি যে তাৰ পৰা নামিবই নোখোজ ?"

ঘণ্টাকৰ্ণৰ চিঞৰ মধুৱাৰ কাণত পৰাৰ আগেয়েহে ৰেলৰ পুলিচৰ কনিষ্টৱলৰ কাণত পৰিল। কনিষ্টৱলটোৱে ঘণ্টাকৰ্ণৰ ওচৰলৈ আহি কেৰ্‌কেৰীয়াকৈ মাত লগালে—"হেই অও বাবু, কাহে হাল্লা কৰতা ? চুপ ৰহ।" কনিষ্টৱলৰ কথাষাৰ শুনি ঘণ্টাকৰ্ণৰ মুখ বগা পৰিল, খঙত গাটো ঠক্ঠক্ কৈ কঁপিবলৈ ধৰিলে। তেওঁ কনিষ্টৱলটোৰ মুখৰ ফালে চাই কলে—"তহঁতৰ কলিকতাত মানুহে নিজৰ লগুৱাকো মাতিব নাপায় নেকি অ'? আও তোৰ দেখোন বৰ গপ-গপ কথা একা! মোৰ তলত এহেজাৰ বঙালী কুলিয়ে কাম কৰে বুলি তোম জান্‌তা নাহি হোগা কি ?"

এনেতে বিদ্যাধৰে মধুৱাক লগত লৈ তাতে ওলাই কনিষ্টৱলেৰে সৈতে ঘণ্টাকৰ্ণৰ লাগিব খোজা খকাখুন্দাখনৰ ওৰ পেলাই দিলেহি। ঘণ্টাকৰ্ণই বিদ্যাধৰক কলে, "বোপা, তোমাৰ কলিকতাৰ কনিষ্টবল এটাৰো ভীমটোকা গপ দেখিলে ভয় লাগে। আমাৰ বাগিচাৰ ওচৰত ইয়াক নাপালোঁ ; পোৱাহেঁতেন মই কি পদাৰ্থ সি বুজিব পাৰিলেহেঁতেন। এতিয়া কি বোলে নে ৰণত পৰি কলীয়া হলো, তেল নাপাই ফপৰীয়া হলো।"

বিদ্যাধৰ।—"থলক, বলক, ইয়াত হাই কৰিব নাপায়।" এই বুলি বিদ্যাধৰে ঘণ্টাকৰ্ণক তেওঁৰ মাল বস্তু কত আছে শুধিলত, ঘণ্টাকৰ্ণই বিদ্যাধৰক উত্তৰ দিলে—"মোৰ মাল-বস্তু কি ৰাখিছে।" এইখন চোৰৰ মলুক বুজিছানে বোপা ? কালি গোৱালগুত কিবা মুটীয়া বঙালে মোৰ মাল-বস্তবোৰ গাড়ীত তুলি দিওঁ বুলি মূৰত তুলি লৈ কৰবালৈ গুচি গল। এইখন দেশৰ মানুহ চোৰ কিন্তু তোমাক কওঁ। তোমালোকে ইয়াত কেনেকৈ থাকা কব নোৱাৰোঁ।"

বিদ্যা।—"বস্তবোৰ আৰু নাপালে নে ?"

ঘণ্টা।—"নাপালো। গল। যাওক দিয়া ; ব্ৰাহ্মণৰ ব্ৰহ্মস্ব খাই বঙাল চোৰহঁতৰ পখৰা ওলাব বুজিছা নে, তুমি দেখি থাকিবা। মোৰ নো কি হব হেঁ ? ভাগ্যে মই এহেজাৰ টকাৰ নোটলোপা মোৰ চোলাৰ বুকুৰ জেপত আনিছিলো। বলা, বোপা চিন্তা নকৰিবা, যি বস্তু লাগে, ইয়াতে, এটাইবোৰ কিনি-কুটি লমহঁক।"

বিদ্যাধৰে এই কথা শুনি লগুৱাটোৰে সৈতে ঘণ্টাকৰ্ণ বৰ মহৰীক মোৰাৰ গাড়ী এখনত তুলি লৈ তেওঁলোকৰ "মেচৰ" বহা পোৱালেহি।

এই খিনিতে কোৱা আৱশ্যক যে ঘণ্টাকৰ্ণ বৰ মহৰীয়ে ৰংখং বাগিচাত তিনি কুৰি টকা দৰমহা পাই তিনি বছৰ কাম কৰিছিল। কিন্তু তেওঁৰ হাতটো বৰ খোৰ; সেই দেখি, খোৰলৈ পানী বাগৰি আহি তাত ডোঙা বন্ধাদি চাৰিউফালৰ টকা বাগৰি আহি তেওঁৰ হাতত গোটখাই পৰিলহি। তিনি বছৰতে এইদৰে তেওঁৰ হাতত তিনি হাজাৰ টকা গোট খালে। সেতিকে ঘণ্টাকৰ্ণ বৰমহৰী উজনিত এজন বৰ চহকী মানুহ। সকলোৱে ঘণ্টাকৰ্ণৰ সৌভাগ্যক শলাগে। কিন্তু বাগিচাৰ বৰ চাহাবজন কিবা আওপকীয়া মানুহ। তেওঁ ঘণ্টাকৰ্ণৰ সৌভাগ্যৰ বাটত হঠাৎ কিবা দেখোন বিধি-পথালি হৈ পৰিল। ঘণ্টাকৰ্ণ ইমান সোনকালে চহকী হোৱা কথাটো তেওঁৰ মনঃপূত নহল হবলা; সেইদেখি তেওঁ এদিন কিবা অলপ "কচুৰ" এটাতে ঘণ্টাকৰ্ণক ধৰি "ডিচমিচ" কৰি থলে, অৰ্থাৎ কামৰপৰা গুচাই দিলে। এতিয়া ঘণ্টাকৰ্ণই সেইধাৰে, বাগিচাৰ বৰ চাহাবৰ ওপৰত আপিল কৰিবলৈ বুলি আৰু লগতে কলিকতাখন ফুৰি-চাকি চাই যাবলৈ বুলি আহিছে।

দ্বিতীয় আধ্যা

অসমীয়া ছাত্ৰৰ "মেচত" দুদিন থাকি ঘণ্টাকৰ্ণৰ আৰু ভাল নলগা হল। তাৰ কাৰণ কেইবাটাও। সেইবোৰৰ ভিতৰৰ মুখ্য মুখ্য গোটচেৰেক বাছি এই খিনিতে উল্লেখ কৰোঁ:—প্ৰথমতে ঘণ্টাকৰ্ণই দেখিলে যে অসমীয়া লৰাবোৰে কিতাপ একোটা আগত লৈ সদায় জোমা-ভাগতী হৈ বহি থাকে, ঘণ্টাকৰ্ণৰে সৈতে ভালকৈ মন খুলি কথাকে নাপাতে। কাৰ্য্যৰ ভাও দেখি তেওঁ ভাবিলে, "মই ভাল ঠাইত সোমালোহি আহি; চোৰাকোৱাই কণী একোটা উমাই বহি থকাদি ইহঁতে কিতাপ একোটা লৈ উমাই বহি থাকিব লাগিলে মোৰ কালে হৈছে আৰু, ইহঁত কেতিয়া উমনিৰপৰা উঠিব, আৰু মই কেতিয়া ইহঁতৰে সৈতে দুখ সুখৰ কথা একেষাৰ পাতিম।" দ্বিতীয়ত,—ঘণ্টাকৰ্ণই ভাবিলে যে তেওঁ ইমান ধনী মানুহটো যাৰ লগত এতিয়াও এহেজাৰৰ ওচৰাওচৰি ধন আছে, তেওঁক এই লৰাখনে ভালকৈ মান সৎকাৰকে নকৰে দেখোন? ইহঁত নো কেনে মানুহ ঐ? যেনেই হওক, ইহঁত পঢ়িশুনি উঠি চোৰাকোৱাই হওক বা "চোৰা ওজাই" হওক, ইহঁতৰ লগত আৰু থকা নাযায়। তৃতীয়ত—ঘণ্টাকৰ্ণই পুৱা গধূলি চিলিমচেৰেক ভাং খায়; সেই কামত তাত তেওঁৰ লগৰীয়া নাইকিয়া। লগৰীয়া নাথাকিলে বাগি-লগা মন্ত খোৱাৰ আনন্দৰপৰা যে সদায় একাল বঞ্চিত হব লাগে সেই কথা ঘণ্টাকৰ্ণই সম্পূৰ্ণৰূপে হৃদয়ঙ্গম কৰিলে। চতুৰ্থ,—তেওঁ ৰাতি যেহেলা বজাই, দেৱগন্ধা গান সুৰ ধৰি গায়; লৰাহঁতে তাত আপত্তি কৰে। তেওঁ ভাবিলে, "মোক কি আপদে পালে একা! কলিকতাত অসমীয়া লৰাহঁতৰ বহাত, গধূলি দুখে ভাগৰে আহি, ৰাগ ৰাগিনী এষাৰো টানিব নোপোৱা হল নেকি? এই অসমীয়া লৰাখন কলিকতালৈ আহি এটাইখন দেখোন পুৰন্দৰ বজাৰ নাতি হলহি।" পঞ্চমত—ঘণ্টাকৰ্ণই শনিবাৰে ৰবিবাৰে থিয়েটাৰলৈ যাবলৈ লৰাহঁতক লগ ধৰিলে সিহঁত যাব নোখোজে। থিয়েটৰ চাবৰ মন নোযোৱা এইখন শুকান জেওৰাখৰি লৰাৰ লগত ঘণ্টাকৰ্ণ থাকে কেনেকৈ? ষষ্ঠত,—এটা বৰ আহকালৰ কথা হল যে, সিহঁতে ঘণ্টাকৰ্ণক "ভাল" ভাল" চাব লগীয়া ঠাইবোৰ নেদেখুৱায়। "ভাল" কথাটোৰ মানে দেখোন সিহঁতে ঘণ্টাকৰ্ণই বুজা দৰে নুবুজে। ইত্যাদি মহা আহকালত পৰি শ্ৰীযুত ঘণ্টাকৰ্ণ বৰমহৰীয়ে অসমীয়া ছাত্ৰৰ "মেচ" এৰি আন কৰবালৈ উঠি যাবলৈ উচপিচাবলৈ ধৰিলে। ঈশ্বৰে নিৰুপায়কো এটা উপায় উলিয়াই দিয়ে; এই ক্ষেত্ৰতো সেয়ে হল। শ্ৰীযুত ঘণ্টাকৰ্ণৰ উচপিচনিতো ঈশ্বৰে বলাই-ঘটাই নি শ্ৰীমান যজ্ঞৰাম শইকীয়াৰ কাণত পেলাই দিলেগৈ। যজ্ঞৰাম এজন অসমীয়া ছাত্ৰ, এফ্ এ পঢ়িবলৈ বুলি তেওঁ কলিকতাত আছেহি,—অৱশ্যে গৱৰ্ণমেণ্টৰ ২০ টকীয়া বৃত্তি ভুঞ্জি। মহাৰাণী ভিক্টোৰীয়াৰ "জুবুলি"ৰ বছৰত এওঁ তৃতীয় বিভাগত "এণ্ট্ৰেঞ্চ" পাছ কৰি কলিকতালৈ আগবাঢ়ি আহে। আমাৰ ঘণ্টাকৰ্ণই সম্প্ৰতি আহি থকা অসমীয়া ছাত্ৰৰ "মেচ"তে এওঁ থাকে। যজ্ঞৰামৰ ঘৰ উজনিত; বাপেকৰ নাম জানো যদিও, বিশেষ কাৰণৰ বশৱৰ্ত্তী হৈ তাক গুপুতকৈ ৰখা গল। ঘণ্টাকৰ্ণৰ উচ্ পিচনিৰ নিকুট মাত যজ্ঞৰামৰ কাণত পৰিলত তেওঁৰ হিয়াৰ সহানুভূতিৰ সোঁত ঘণ্টাকৰ্ণৰ ফালে ধাৰ নিছিগাকৈ বলৈ ধৰিলে। ৰতনে ৰতনক চিনাৰ দৰে যজ্ঞৰামে বৰমহৰীক চিনি পেলালে। তিলেকতে দুইৰো সাৱটা-সাৱটি আৰু আকোঁৱলা-আকুলি জাতৰ প্ৰণয় হল।

যজ্ঞৰামৰ বিষয়ে উল্লেখ কৰিবলৈ গলে কোৱা উচিত যে কলিকতাৰ কলেজে যজ্ঞৰাম শইকীয়াক সমূলি নুসুজিছিল। কলেজৰ পঢ়া শুনাৰে সৈতে যজ্ঞৰামৰ কোনোমতেই ৰাহি নাহিছিল। অসম গৱৰ্ণমেণ্টে তেওঁক বিশ্বাস কৰি ২০ টকা বৃত্তি দি কলিকতাত পঢ়িবলৈ পঠিয়াইছিল হয়, কিন্তু কলেজৰ পঢ়াৰে সৈতে তেওঁৰ ৰাহি জোৰা নাহিলে নো তেওঁ কি কৰিব আৰু কত নো মূৰটো খুন্দিয়াই ভাঙিব হেঁ? যি হওক, তেওঁ গৱৰ্ণমেণ্টৰ ধনৰ অবিশ্বাসৰ কাম কৰিব নোৱাৰিলে। নোৱাৰেও। সেই দেখি তেওঁ লেখা-শুনাকৈ

কলেজৰে সৈতে ‘ডাইভৰ্চ’ প্ৰাৰ্থনা নকৰি, “জুডিচিয়েল চেপেৰেচনৰ” নিচিনা এটা লোক-হাঁহিয়াত নোহোৱা বিচ্ছেদ স্বীকাৰ কৰি ললে ; আৰু চৰকাৰে বৃত্তিৰ টকাটো, তেওঁৰ সৈতে বাহি-জোৱা অহা আন কাৰ্য্যত ব্যয় কৰিবলৈ কৃতসঙ্কল্প হৈ তাকে কৰিবলৈ ধৰিলে। যদিও কলেজত পঢ়া খৰচতকৈ এই গুৰুতৰ কাৰ্য্যৰ ব্যয়ভাৰ বেছি ; আৰু ২০ টকা ৰূপক ৩ৰে পূৰি ললেও নাটনি হয়, তথাপি যজ্ঞৰাম পিছ-ভৰি হোৱা মানুহ নহয় ; তেওঁ ঘৰৰ পৰা নানা উপায়েৰে ধন আনি জোৰা-ফোন্দা মাৰি সেই কাৰ্য্য সম্পাদন কৰিবলৈ ধৰিলে। কিন্তু গোলাপত কাঁইট থকাটো যেনে আহকালৰ কথা, মাক-বাপেকৰ টকাৰ সোনাত তলি থকাটোও তেনে আহকালৰ কথাই ; সেইদেখি এনে আহকাল নুগুচে, আৰু সেইদেখি গি উদং হবই হব ; আৰু অচিৰতে হলও। যজ্ঞৰামৰ এনে ভোকৰ অৱস্থা। এনে সময়তে কৃপালু ঈশ্বৰে এহেজাৰ টকাৰে ঘণ্টাকৰ্ণ বৰমহৰীক জানিবা টোপোলা বান্ধি তেওঁৰ আগত টুপুৰ কৰে পেলাই দিলে। ভগৱন্তই নিৰুপায়ৰ যে এটা উপায় কৰে ইও প্ৰমাণ এক। কোৱা বাহুল্য যে সেইদিনা আৰু তাৰ আগৰ দিনাও যজ্ঞৰামে “I am seriously ill, wire thirty” অৰ্থাৎ মোৰ সঙ্কটজনক নৰীয়া, ত্ৰিশ-টকা বিজুলী ডাকত পঠিয়াই দিয়া আৰু “Jajnaram attacked with cholera wire twenty” অৰ্থাৎ যজ্ঞৰাম মাউৰত পৰিছে, কুৰি-টকা বিজুলী-ডাকত পঠিয়াই দিয়া, ইয়াকে লেখি টেলিগ্ৰাম বাপেকলৈ কৰিও তাৰ কোনো ফল লাভ নকৰাকৈ আছিল, আৰু লাভ কৰিবৰ আগন্তুকো নাছিল। কাৰণ যজ্ঞৰামৰ বাপেকে পুতেকৰ গুণ-গৰিমাৰ কথা ভালকৈ বুজ পাই পুতেকক ঘৰলৈ ওভোতাই নিবলৈ অনেক চেষ্টা কৰিছিল, কিন্তু তেওঁৰ সকলো চেষ্টা বিফল হল, যজ্ঞৰামক কলিকতাই কামোৰ মাৰি ধৰি নেৰিলে। সেইবাবে, বাপেকে যজ্ঞৰামৰ বিজুলী ডাকৰ বাতৰিৰ ওপৰত আৰু পতিয়ন এৰি দিছিল।

যি হওক, এতিয়া সোণত সুৱগা মিলি যোৱাদি যজ্ঞৰাম ঘণ্টাকৰ্ণত মিলি গল। কাৰণ অনেক ; তাৰে ভিতৰত গোটাচেৰেক এই যে—যজ্ঞৰামেও গান বাজনা ভাল পায়, ঘণ্টাকৰ্ণয়ো ভাল পায়। ঘণ্টাকৰ্ণই ভাং ভাল পায়, যজ্ঞৰামেও যে নাপায় এনে নহয় ; বৰং সেই ধৰৰ শাৰীৰ ডাঙৰ সৰু সকলো বিষয়তে তেওঁৰ অচলা প্ৰীতি। ধাৰা জাতিৰ প্ৰতি যজ্ঞৰামৰ যেন পক্ষপাতিত্ব ঘণ্টাকৰ্ণৰো তেনেকুৱাই। তাৰ উপৰিও ঘণ্টাকৰ্ণৰ ইচ্ছাৰ সাবধি টকা লগত আছে, যজ্ঞৰাম সেই সাবধি বিহীন। এনে স্থলত এই দুজনৰ হৃদ্যতা আৰু আত্মীয়তা অনিবাৰ্য্য।

যজ্ঞৰামে ঘণ্টাকৰ্ণ বৰমহৰীক অসমীয়া ছাত্ৰৰ “মেচৰ” পৰা আনি মিৰ্জ্জাপুৰ ষ্ট্ৰীটৰ “হিন্দু হোটেল” এটাত থাকিবলৈ বন্দবস্ত কৰি দিলে। হোটেললৈ আহি ঘণ্টাকৰ্ণই উশাহ পালে, কাৰণ তেওঁ তেওঁৰ Friend, philosopher and guide যজ্ঞৰামৰ সহায়ৰ যোল অনা সুবিধা লাভ কৰিব পৰা হল। ঘণ্টাকৰ্ণ বৰমহৰী হিন্দুহোটেল নিবাসীৰ বিস্তাৰিত বিৱৰণ দিবলৈ আমাৰ ধৈৰ্য্য নাই, ধৈৰ্য্য ধৰি কোনো মতে দিবলৈ গলেও, এইটো নিশ্চয়, যে তাৰ দ্বাৰাই কাৰো এক ধনিষ্ঠামানো উপকাৰ নহয় ; বৰং অনেক চঞ্চল চিত্তৰ মানুহৰ মানসিক চাঞ্চল্য ঘটি অপকাৰ হোৱাৰ হে সম্ভাৱনা। চমুকৈ ইয়াকে মাথোন কওঁ যে, ঘণ্টকৰ্ণ বৰমহৰী থকা হোটেলত এদিন ধৰ হাই-উৰুমি শুনা গৈছিল। ভু লৈ জনা গল যে ঘণ্টাকৰ্ণৰ হাতনি-পেৰাৰ পৰা ৫০০৲ টকা কোনোবাই চুৰ কৰিলে।

ইয়াৰ পিছত এদিন শুনা গল যে গল ৰাতি ঘণ্টাকৰ্ণই হোটেলৰ ঘৰৰ চিৰিৰ পৰা বাগৰি পৰি তেওঁৰ সোঁ ভৰিৰ সৰু-গাঁঠিটো মোছোকা খুৱালে আৰু কপাল আৰু কুমত ঘা লগালে।

ইয়াৰ পিছত শুনা গল যে হোটেলৰ বঙালী মেনেজাৰটোৰে সৈতে এদিন ঘণ্টাকৰ্ণৰ কিলৰ আদান প্ৰদান চলা বাবে মেনেজাৰে ঘণ্টাকৰ্ণক হোটেলৰ পৰা ওলাই যাবলৈ “নটিচ” দিলে।

ইয়াৰ আগেয়ে এদিন শুনা গৈছিল, ঠিকাগাড়ীৰ গাৰোৱান এটাৰে সৈতে ঘণ্টাকৰ্ণই কলিকতাৰ বাটত মাল-যুঁজ কৰিলে আৰু পুলিচকোৰ্টত দুয়ো পাঁচ টকাকৈ জৰিমনা ভৰিলে।

তাৰ আৰু আগেয়ে শুনা গৈছিল যে এদিন যজ্ঞৰামে ঘণ্টাকৰ্ণক টকাৰ নিমিত্তে এঠাইত “বন্ধক” দি আহিছিল, আৰু অনেক পৰৰ মূৰতো যেতিয়া যজ্ঞৰামে টকা দি ঘণ্টাকৰ্ণক মোকোলাই নিবলৈ নাহিল, তেতিয়া ঘণ্টাকৰ্ণক সেই বন্ধক লওঁতাই জবীৰে তাতে ৮ ঘণ্টা বান্ধি থৈ দিছিল।

মুঠতে ঘণ্টাকৰ্ণ শৰ্ম্মা বৰমহৰীৰ কলিকতা ভ্ৰমণ আৰু পৰিদৰ্শন সুখকৰ নহয়। শেহত ঘণ্টাকৰ্ণই এদিন পুৱা দেখিলে যে তেওঁ অসমৰ পৰা লৈ অহা এহেজাৰ টকাৰ ভিতৰৰ এতিয়া তেওঁৰ “মণিবেগত” এটা আধাপইচা বাকী আছে মাথোন। সেই আধাপইচাটোও কেৱল আত্মনিশাৰ তেওঁৰ “ইকনমি” অৰ্থাৎ টানি ধৰি চলাৰ খৰচ কৰা ইচ্ছা আৰু কাৰ্য্যৰ ফল। সেই “ইকনমিৰ” ইতিহাসটো এই,—বহুবজাৰ ষ্ট্ৰীটৰ মূৰত বিক্ৰি-

চেলেউ বেচা দোকানী এটাৰ দোকানত পইচা এটা ভঙাই আধাপইচা এটাৰ খিৰি-চেলেউ কিনি বাকী খিনি বেগত ভৰাই থৈ দিছিল, এই সূত্ৰতে সি ধৰা পৰিল।

ইয়াৰ পিছত অসমীয়া ছাত্ৰসকলে পইচা তুলি ঘণ্টাকৰ্ণৰ আৰু তেওঁৰ চাকৰটোৰ টিকট কিনি দি তেওঁলোকক গাড়ীত তুলি অসমলৈ পঠিয়াই দিলে। কবলৈ পাহৰিছোঁ যে ঘণ্টাকৰ্ণই যাবৰ দিনা পুৱা গঙ্গাস্নান কৰিছিল, আৰু তেওঁৰ "মনিবেগত" থকা সেই আধাপইচাটোও গঙ্গাৰ ঘাটত, তেওঁক স্নান কৰোৱা ধামুণক দক্ষিণা দিছিল। শিয়ালদহ ষ্টেচনৰ গাড়ীত উঠোতে ঘণ্টাকৰ্ণ ৰৰমহৰীয়ে আমাক এষাৰ তেওঁৰ শেষ ধাইক কৈ গৈছিল। সেইষাৰ আমি এতিয়াও পাহৰা নাই।— যথা,—"শুনিছানে বোপা, কলিকতাখন ৰব ঠগৰ মলুক।"

এই উপাখ্যানটো শেষ কৰাৰ আগেয়ে ঘণ্টাকৰ্ণ ৰৰমহৰীৰ লগুৱা মধুৰাৰ বিষয়ে এষাৰ কথা কোৱা আৱশ্যক হৈ পৰিছে। কলিকতাত দিন চেৰেক থাকি মধুৰাৰ বৰ পৰিৱৰ্ত্তন ঘটিল। হোটেলত থাকোঁতে এদিন সি তাৰ গৰাকী ধৰমহৰীৰ "মণিবেগৰ" পৰা ২০ টকা ৰূপ চুৰ কৰি, তাৰে এযোৰ জোতা এযোৰ মোজা কিনিলে ; এখন চুৰিয়া, এটা কামিজ আৰু এখন চাদৰ কিনি ললে ; আৰু ঘণ্টাকৰ্ণই যজ্ঞৰামৰে সৈতে বাহিৰত ফুৰা সুযোগতে সি সেই জোতা মোজা চুৰিয়া চেলেং পিন্ধি গা-মেলাই অনাই ধনাই ফুৰিবলৈ ধৰিলে। হোটেলৰ বঙালী চাকৰ এটাৰে সৈতে মধুৰাৰ বৰ বন্ধুত্ব হল, আৰু তাৰ সহায়তে তাৰ চকু গজিল, আৰু বহুদৰ্শিতা লাভ হল। শেহত ইয়াৰ ফলত কলিকতাৰ ৰূপ গুণত সি ইমান মোহ গৈছিল যে সি ঘণ্টাকৰ্ণৰ সৈতে অসমলৈ উভতি নাযাবলৈকে থিৰাং কৰি কলিকতাতে এঠাইত "নিকা" কৰি গৃহস্থী হৈ থাকিবৰ বন্দবস্ত পাতিছিল। নুবানুবি সময়ত অসমীয়া ছাত্ৰসকলৰ জনদিয়েকে অতি কষ্টেৰে হে তাক কলিকতাৰ কামোৰ এৰুৱাই ঘণ্টাকৰ্ণৰ লগত পঠিয়াব পাৰিলে। এই খিনিতে কোৱা উচিত যে এই কেই দিনতে মধুৰাৰ অসমীয়া ভাষাৰ মাটিভৰাৰ আয়তন জোখত অনেক কম হৈ পৰিছিল ; কাৰণ বঙলা ভাষাই তাঁৰ সীমা ঠেলি নি সৰহভাগ নিজৰ চাপৰ ভিতৰুৱা কৰি পেলাইছিল। মধুৰাক উদ্ধাৰ কৰি আনিবলৈ যোৱা অসমীয়া ছাত্ৰ কেইজনক সি বঙলা মিহলি অদ্ভূত অসমীয়া ভাষাত উত্তৰ দিয়াটো যুক্তিসঙ্গত বুলি ভাবিছিল। অৱশ্যে ইচ্ছাপূৰ্ব্বক যে এনে বুলিব নোৱাৰি। শেহত যেতিয়া তাক একৰকম বলেৰে যেন গাড়ীত তুলি দিয়া হল, তেতিয়া সি এই উপাখ্যানলেখকক "সেৱা" কৰিবলৈ পাহৰি "প্ৰণাম" কৰি কৈছিল—'মই আবাৰ ফিৰি আসিব দেউতা মোৰ ঘাড়ীত আৰু মন বহিবে না।" দুখৰ বিষয় আজিলৈকে মধুৱা কলিকতালৈ উভতি অহা নাই।

ধৰ্ম্মধ্বজ কয়চলা-নবিচ

"অজাতিৰ সন্তান। আহি মোৰ পুখুৰীটো চুৱা কৰি গলিহি। কাইলৈ গোসাঁইৰ মুখত পানী এচলু দিয়াৰ মুখ মাৰি থলিহি। মোৰ লৰাই-ছোৱালীয়ে ঘৰে-ঘৰোৱাই মানুহ আজি এটোপা পানীৰ আটকত গধূলিকৈ লঘোণে ভোকে থাকিব লাগিব। এই অজাতিহঁতলৈ মাউৰ জহনীও নাইকিয়া হলনেকি ?"

ওপৰত তুলি দিয়া এই কেইষাৰ কথাই ক'ত, কেতিয়া আৰু কিয় জন্ম গ্ৰহণ কৰিছিল কোনোবাই কব পাৰে নে? আনে পাৰক নোৱাৰক এই আখ্যান লেখোঁতাই পাৰে।

১৮১৫ শকৰ চত মহীয়া দুপৰীয়া গহপুৰৰ বামুণ গাঁৱত শ্ৰীযুত ধৰ্ম্মধ্বজ পেঞ্চনপ্ৰাপ্ত কয়-চলানবিচৰ মুখৰপৰা এই কেইআষাৰ কথাই জন্মগ্ৰহণ কৰে। তাৰ কাৰণ,—ওচৰ-চুবুৰীয়া জয়চন্দ্ৰ ভূঞাৰ দহ বছৰীয়া পুতেক সোণলচন্দ্ৰই কয়চলানবিচৰ এঘাৰ বছৰীয়া পুতেক সোমেশ্বৰৰে সৈতে দুপৰীয়া ৰদত খেমালি কৰি থাকোঁতে পিয়াহ লাগি কয়চলা নবিচৰ ঘৰৰ আগৰ পুখুৰীটোত নামি তাতে হাতভৰি ধুই পানী একাজলি খালে। জয়চন্দ্ৰৰ বংশত এটা বৰ ডাঙৰ চেকা অনেক কালৰ পৰা আছিল, যাক তেওঁলোকৰ তিনি পুৰুষেও বহি-পিহি কোনোমতে গুচাব পৰা নাছিল। সেই চেকাটো হৈছে এই :—অসমত মানৰ দৌৰাত্ম্যৰ দিনত জয়চন্দ্ৰৰ বাপেক কৃষ্ণচন্দ্ৰক মানে ধৰি লৈ গৈছিল। তেওঁ মানৰ হাতৰ পৰা চিংফৌৰ হাতত পৰি, কোনোমতে পলাই সাৰি উভতি ঘৰ পালেহি। মানে তেওঁক ধৰি লৈ যাওঁতে বাটত কৃষ্ণচন্দ্ৰই অগত্যা মানৰ ভাত খাব লগীয়াত পৰিছিল ; এই বাবে কৃষ্ণচন্দ্ৰৰ হেনো জাত গল।

কৃষ্ণচন্দ্ৰ ঘৰলৈ উভতি আহিল হয়, কিন্তু গাঁৱৰ মানুহে তেতিয়াৰে পৰা তেওঁক জাত যোৱা বুলি এৰৰীয়াকৈ থৈ দিলে। এনে অৱস্থাতে কৃষ্ণচন্দ্ৰ ভূঞাৰ পুৰুষ গ'ল, আৰু পুতেক জয়চন্দ্ৰৰ পুৰুষো যাব লগীয়া হ'লহি তথাপি তেওঁলোকৰ গাৰ পৰা সেই চেকাটো নুগুচিল—তেওঁলোক হিন্দু সমাজৰ চকুত সদায় অজাতি হৈয়ে ৰ'ল। কৃষ্ণচন্দ্ৰই মৰিবৰ

দিনলৈকে নৈষ্ঠিক হিন্দুৰ আচাৰ ব্যৱহাৰ নীতি নিয়ম ৰাখি হিন্দুতকৈও হিন্দু হৈ আছিল ; জয়চন্দ্ৰয়ো পিতৃপথৰ অনুগামী হৈ চুলি এডালৰ সমানো সেই আচৰণৰ পৰা আঁতৰা নাছিল ; কিন্তু হলে কি হব ? তেওঁৰ জ্ঞাতি কুটুম্ব ওচৰ চুবুৰীয়া গঞা-গিৰি কোনেও তেওঁৰ ঘৰৰ মানুহেৰে সৈতে লৌ-ঘাটে আচাৰ ব্যৱহাৰ নকৰে। অতকাল হিন্দু সমাজৰ পৰা পোৱা এই অপমান জয়চন্দ্ৰই বিনা বাক্যব্যয়ে সহি আহিব লাগিছে ; কাৰণ অদৃষ্টত তেওঁৰ অটল বিশ্বাস, আৰু পিতৃ-পিতামহৰ ধৰ্ম্মত অচলা ভক্তি কিন্তু আজি দুপৰীয়া যেতিয়া তেওঁৰ নাবালক পুতেক নোমলচন্দ্ৰই ধৰ্ম্মধ্বজ কয়চলা নবিচৰ হাতত, ওপৰত কোৱা দৰে লাঞ্ছিত হৈ সেই কথা চকুৰ লোৰে সৈতে বাপেকৰ আগত কলে, তেতিয়া জয়চন্দ্ৰৰ বেজাৰ আৰু অপমানত হিয়া ভাগি গ'ল। অতকাল তেওঁক বান্ধি থোৱা হিন্দুধৰ্ম্মৰ কটুকটীয়া জৰীডাল আজি হঠাৎ ভুটুৰ কৰে ছিগি গ'ল ; আৰু জয়চন্দ্ৰই ভাবিবলৈ ধৰিলে :—সঁচাকৈয়ে আমাৰ ধৰ্ম্ম আৰু সমাজৰ অন্তৰ এনে কঠোৰ নে ? ধোবা নাপিত চমাৰ কমাৰ সকলোৱে সেই পুখুৰীত গা ধোৱে, তাৰ পানী খায়, অথচ মোৰ নাবালক ল'ৰাটোৱে দুপৰীয়া ৰ'দৰ পিয়াহত তাৰ পানী এচলু খালতহে পুখুৰীটো ছুৱা হ'ল ? ধোবা নাপিত চমাৰ কমাৰ হিন্দু সমাজৰ চকুত সকলোবোৰ শুধ, কিন্তু আমাৰ ঘৰ মানুহ হিন্দু ধৰ্ম্ম আৰু হিন্দু আচাৰ ব্যৱহাৰৰ পৰা আজি ইমান দিন চুলি এভাগৰ সমানো লৰচৰ নোহোৱাকৈ থাকিও অশুধ অজাতি'। এয়েই নে মই খামোচ মাৰি ধৰি থকা হিন্দু সমাজৰ, হিন্দু ধৰ্ম্মৰ উদাৰতা ? এয়েই নে ভো-ভো-পণ্ডিত হিন্দু ধৰ্ম্মধ্বজসকলৰ বিচাৰ ?

ইত্যাদি প্ৰকাৰে জয়চন্দ্ৰ ভুঞাই এঘণ্টা মান টলকা মাৰি ভাবি আছিল। তাৰ পিছত তেওঁ বাহিৰলৈ ফুৰিবলৈ ওলাই গ'ল।

পিছদিনা গাঁৱত খবৰ ওলাল যে মানে জাত মৰা ঘৰৰ জয়চন্দ্ৰ ভুঞাই সপৰিবাৰে মহম্মদীয় ধৰ্ম্ম গ্ৰহণ কৰি মুছলমান হ'ল ; আৰু তেওঁৰ নাম জহিৰুদ্দিন, পুতেকৰ নাম নুৰুদ্দিন, আৰু ঘৈণীয়েক সাবিত্ৰীৰ নাম চেলিমা বিবী হ'ল।

যি ধৰ্ম্মত চহকী-দুখীয়া, ৰজা-প্ৰজা, শিক্ষিত-অশিক্ষিত, সকলো সমান, যি ধৰ্ম্মত বৰ-সৰু, ৰজা-প্ৰজা হজুৰা বাদচাহ—সকলো একে, আৰু সকলোৱে একে ঠাইতে একেদৰে উপাসনা কৰি শান্তি লভে, যি ধৰ্ম্মত আৰু যি ধৰ্ম্মৰ শাস্ত্ৰত সকলো মুছলমানৰে সমান অধিকাৰ, যি ধৰ্ম্মক অবলম্বন কৰি সকলো দেশৰ ওখ সৰু সকলো শাৰীৰ সকলো সমাজৰ মুছলমানে একেলগে একে ঠাইতে, আন কি একে পাততে খোৱা লোৱা কৰে, যি ধৰ্ম্মত সকলো মুছলমানে (উপযুক্ত হলে) ধৰ্ম্মযাজকৰ কাম পৰ্য্যন্ত কৰিবৰ অধিকাৰ পায়, যি ধৰ্ম্মত সকলো মুছলমান ভাই ভাই আৰু সকলো মানুহ সমান, আজি জয়চন্দ্ৰই সেই ধৰ্ম্মৰ আশ্ৰয় পাই কন্তেকৰ ভিতৰতে মানুহৰ প্ৰাপ্য অধিকাৰ লাভ কৰিলে।

জয়চন্দ্ৰ মুছলমান হোৱা কথা শুনি তেওঁৰ গাঁৱৰ অনেক সহৃদয় মানুহে নিজৰ সমাজৰ কঠোৰ ব্যৱহাৰৰ ওপৰত ধিক্কাৰ দি হিন্দু সমাজে যে অন্ধ সংকীৰ্ণতাৰ আশ্ৰয় লৈ নিজৰ শৰীৰলৈ নিজে দুৰ্ব্বলতা আনিব লাগিছে, এই কথা কৈ দুখ প্ৰকাশ কৰিবলৈ ধৰিলে। কিন্তু আমাৰ কয়চলানবিচে হলে এই বাতৰি শুনি জয়চন্দ্ৰৰ ওপৰত তেওঁ জয়লাভ কৰিলে এনে ভাব প্ৰকাশ কৰি কলে—"বেছ হ'ল। আমাৰ সনাতন হিন্দুধৰ্ম্মৰ গৌৰৱ অক্ষুণ্ণ হৈ ৰ'ল।"

কোৱা বাহুল্য যে, ধৰ্ম্মধ্বজ কয়চলানবিচৰ দলত পোন্ধৰ অনা তিনি পইচা মানুহ আছিল, গতিকে তেওঁ ভিঙি মেলি ভাওৰকৈ এই কথাৰ কোৱাত কোনো বিধিনি নঘটিছিল।

“......মোপাঁচাৰ নাম শুনিলেই আমাৰ মনত পৰে তেওঁৰ বিশ্ববিখ্যাত চুটি গল্পবোৰলৈ। মেটাৰলিঙ্ক্ বুলিলেই মনত পৰে তেওঁৰ ৰহস্যবাদপূৰ্ণ ৰচনাসমূহলৈ, ৰবি ঠাকুৰ বুলিলেই মনত পৰে তেওঁৰ বিশ্বজনীন কবিতাসমূহলৈ, সংস্কৃত কবি বাণভট্টৰ কথা ওলালেই মনত পৰে তেওঁৰ গদ্যৰচনাৰ বিচিত্ৰতালৈ। সেইদৰে লক্ষ্মীনাথ বেজবৰুৱাৰ নাম ললেই আমাৰ পোন প্ৰথমতে মনলৈ আহে তেওঁৰ হাঁহি ৰসলৈ, চকুৰ আগত ভাহি উঠে মুখলৈকে হাঁহিৰসেৰে ভৰাই থোৱা তেওঁৰ সোণ-ৰূপৰ কলহবোৰলৈ, হাঁহিৰ থুনপাকেৰে ওপচাই থোৱা ৰবৰটাবোৰলৈ, কাঠৰ শৰাইবোৰলৈ, জেবেঙা পথাৰৰ জীয়ৰী-বোৱাৰীহঁতৰ মুখৰ একো একো মোকোৰা হাঁহিলৈ।”

“হেনৰিক্ ইব্‌ছেন্ (Hanrik Ibsen) সম্বন্ধে বাৰ্ণাৰ্ড শ্ব'ই (Bernard Shaw) কৈছিল যে শ্বেক্সপিয়েৰে আমাক ৰঙ্গমঞ্চত বহুৱালে সঁচা, কিন্তু আমাৰ অৱস্থাবোৰ বহুৱাব পৰা নাই, Ibsen এ আমাক কেৱল ৰঙ্গমঞ্চতে বহুওৱা নাই আমাৰ অৱস্থাবোৰকো তাত ঠাই দিছে।

আধুনিক যুগত আঙুলিমূৰত গণিব পৰা যি কেইজন অসমীয়া সাহিত্যিকে অসমীয়া সমাজ সম্বন্ধে কম-বেছি পৰিমাণে আলোচনা কৰি গৈছে তাৰ ভিতৰত বেজবৰুৱাই থাপি থৈ যোৱা ৰসৰ মৌচাকবোৰৰ মাজতেহে আমি আমাৰ নিজৰ ৰূপটো কিছু ভালদৰে চাবলৈ বা অইনক দেখুৱাবলৈ চানেকি পাইছোঁ। টপামৰীয়া এজনে আচি লৈ চাই নিজৰ মূৰৰ অৱস্থা দেখি নিজে হঁহাৰ দৰে আমিও তেওঁৰ ৰচিত চানেকিবোৰত কটফটীয়াকৈ এনেভাৱে ওলাই পৰিছোঁ, যে কেতিয়াবা নিজৰ টপা-মূৰত নিজে হাত দি হাঁহিছোঁ, নিজৰ নাকৰ সেঙুন নিজৰ মুখলৈ বাগৰি পৰা দেখি এবাৰ হাঁহিছোঁ এবাৰ ঘিণ কৰিছোঁ, ওপৰলৈ থু পেলাই নিজেই নিজৰ মূৰত পেলাই একোবাৰ লাজ পাই তলমূৰ কৰিছোঁ। একোবাৰ আংবাং বলকিছোঁ; নিজৰ চুলুঙা, লোকৰ পদুলি-গুৱা খান্দবাদি স্বভাৱটিৰ কথা ভাবি একো একোবাৰ নিজে টভক মানিছোঁ।”

—“বেজবৰুৱাৰ হাস্যৰস”
ড: হৰিচন্দ্ৰ ভট্টাচাৰ্য্য

কেহোঁকলি

কেহোঁকলি

গল্পটোৰ পাতনিতে কোৱা যাওক, যে এনেকুৱা নাম আজিকালি চহৰত পাবলৈ নাই। এই জাতৰ নামৰ ঠাই সুৰেন্দ্ৰ, নৰেন্দ্ৰ, শৈলেন্দ্ৰ, অৰবিন্দই জুৰি ৰহিল। অচিৰতে এই চাপে গাঁৱতো সোমাই মণিৰাম, ধনীৰাম, ভোবোৰা, ভোকন্দিকো যে নেখেদিব এনে কথা বুকু ফিন্দাই কব নোৱাৰি। আগৰ দিনত গাঁৱৰ কথাহে নকওঁ, চহৰতো ভাল মানুহৰ গাত জপৰা, ফপৰা, বুদৰবীয়া, পকাজলকীয়া নাম লাগি পকি ওলমি গছৰঙা কৰি থৈছিল। সেইদেখি আজি আমাৰ উপাখ্যানৰ কেহোঁকলি নিজে অকল কেহোঁ আৰু কলিৰেই জোৰা-লগা ফটা বাঁহ নাছিল; তেওঁৰ কেহোঁকলি নামৰ মূৰৰ ওপৰত সদাগৰ বোলা জাপিটোও উঠিছিল।

কেহোঁকলি সদাগৰৰ ঘৰ উজনি অসমৰ গৰ-গাঁৱত আছিল। তেওঁ যদিও সদাগৰ নাম পাইছিল, তথাপি ৰজাৰূপ, চিকাৰূপ, নাইৰা আজিকালি ঘৰকৈ টক্‌টকোৱা টকায়ো যে তেওঁৰ হাতত চৌ-চোৱাইছিল এনে নহয়, তেওঁৰ ধন আছিল—হাঁহ, পাৰ, ছাগলী, গৰু আৰু ম'হ। তেনে ধনেৰেই তেওঁ ধনী সদাগৰ। হাজাৰ বিজাৰ হাঁহ পাৰ, শ শ ছাগলী আৰু তিনিকুৰি চাৰিকুৰি গৰু-ম'হৰ মালিক আছিল তেওঁ। সেইবোৰ পুঁহি পালি বঢ়াই তাৰেই বণিজ কৰা তেওঁ বাণিজ্যৰ। বছৰি সাতখন নাৱত তেওঁ তেওঁৰ এই বণিজৰ বস্তুবোৰ ভৰা দি দিখৌৱেদি ভটিয়াই আহি ৰংপুৰ নগৰত সেইবোৰ বেচি, তাৰ সলনি সাতখন নাও ধানেৰে খুন্দ খুৱাই ভৰাই লৈ উজাই নিজৰ ঘৰলৈ গৈছিল।

তিনিকুৰিৰ ওপৰে কেহোঁকলিৰ বয়স। তথাপি তেওঁ বুঢ়া আবোল চোৰাৰ, আৰু কিতৃচকু নোলোৱাকৈ ৰাতি ঠগি আগত লৈ দশম কীৰ্ত্তন পঢ়ে। বয়সৰ দৈত্যক তেওঁ দূৰতে খিদূৰ কৰি ৰাখিছিল। তিনি-কুৰি বছৰীয়া কেহোঁকলি সদাগৰৰ মূৰৰ চুলিতো পক ধৰা নাছিল। এই নিয়মৰ ব্যতিক্ৰম হিচাপত ৰাখোঁৰ তেওঁৰ চকুৰ ভুৰু দুডাল-চাইডালে বৰণ সলাইছিল।

কেহোঁকলি সদাগৰৰ বৈণীয়েকৰ নাম আছিল কুটকুৰী। সৰুতে তেওঁৰ মূৰৰ চুলিবোৰ কুটকুৰা আছিল কাৰণে তেওঁৰ এই নাম পাইছিল। ঘৰ-সংসাৰ চলোৱা আৰু হাঁহ পাৰ গৰু ছাগলীৰ আপ-দাল কৰাত বুঢ়ী ঘৰ কাজী আছিল। মুঠতে কুট-কুৰী কেঁহোকলিৰ সোঁহাত আছিল বুলি কলেও বেছি কোৱা নহয়।

কেহোঁ সদাগৰৰ একেজনী ছোৱালী। নাম ৰতাহী। লোদোৰ পোদোৰ হাত ভৰি আৰু ধুনীয়া চকলা মুখখনেৰে ৰতাহী স্বাস্থ্যৰ জীয়া প্ৰতিমাখন। তাই ৰতাহৰ দৰে চঞ্চল আছিল দেখিয়েই মাক-বাপেকে ৰতাহী বুলিছিল। বাপেক-মাকৰ কামত ৰতাহী যেনেকৈ তীখামোখৰা তেনেকৈ হাঁহ পাৰ, গৰু ছাগলীৰ আপদাল কৰা কামতো তাই আগ-বঢ়ুৱা। পাৰবোৰৰ ভিতৰত বিশেষকৈ লোকাপাৰ বুলি এটা ৰতাহীৰ দেহলাও হৈ কুৰিছিল। তাই য'তে থাওক, বিহকে কৰক, সেই পাৰটো তাইৰ কাষত আৰু তাই পাৰটোৰ কাষত। দুইৰো আঁতৰা আঁতৰি নাই। পাৰটো তাইৰ মূৰৰ ওপৰত আৰু হ'তৰ ওপৰত সততে বিৰাজমান। অজান জীৱ এটাই কেনেকৈ মানুহৰ মৰমৰ মৰ্ম বুজি এনেকুৱা মৰমিয়াল হৈ পৰিছিল, দেখিলে আচৰিত মানিব লাগে। পাৰটোৰ গতি-গতি দেখিলে কোনে কব যে সি— "জ্ঞান শূন্য আতি,
পশুপক্ষী জাতি"ৰ শাৰীৰ।

ৰতাহীৰ প্ৰত্যেক ইঙ্গিত সি বুজিছিল, আৰু ইঙ্গিত মতে আনন্দত ডিঙি কুলাই চলিছিল।

ৰণাই কেহোঁকলিইঁতৰ ওচৰচুবুৰীয়া হৃষ্টপুষ্ট বলিষ্ঠ ডেকা। তাৰ ঘৰ মন যে ৰতাহীক সি বিয়া কৰে। ৰণাইৰ বয়স একুৰি পাঁচ বছৰ। ৰতাহীও সোত্তৰ বছৰীয়া। সকলোপিনে দুয়ো দুইৰো জোৰ হয়। কেহোঁকলি আৰু কুটকুৰীৰো ছোৱালীজনী তাকেই দিবৰ মন। কিন্তু ৰতাহীৰ মনৰ থাউনি পাবৰ উপায় নাই। ৰণাইৰে সৈতে ৰতাহীয়ে কথা পাতে, দলত কুকলি পিটে, হাঁহি খিকিন্দালি মাৰে। কিন্তু কোনো কথাতে কেতিয়াও ৰণাইক তাইৰ

আন্তৰিক বিতৃষ্ণাৰ ভাব নেদেখি। তথাপি বণাইৰ পক্ষে বতাহীৰ মনটো জানিবা এটা বীজন ঔ-বীজ। এই বিষয়ত মাক বাপেকো বণাইৰে শাৰীত। মুঠতে বতাহী ছোৱালীজনী এটা সাঁথৰ। সেই সাঁথৰ ভাঙিবৰো কাৰো সাধ্য নাই। অথচ তাই সকলোৰে মৰমৰ পাত্ৰ। বতাহী মুকলি বতাহৰ বা। বতাহ সকলোৰে আদৰৰ ধন, প্ৰাণৰ বস্তু; কিন্তু কাৰো হাতত বতাহ বন্দী নহয়। সি আত্মাৰাম, নিজানন্দতে সুখী। বতাহী তেনেকুৱা বতাহেই।

বছেৰেকত এবাৰ কেহোঁকলি সদাগৰ বেহা-বেপাৰ কৰিবলৈ ওলায়। এইবাৰো সদাগৰে সাতখন নাৱত তেওঁৰ বণিজৰ বস্তু হাঁহ, পাৰ, ছাগলী ভৰা দি বেহা কৰিবলৈ ওলাল। এইবাৰ তেওঁ "মোক ভাত এমুঠি বান্ধি দিবি বুলি" জীয়েকক লগত ললে। সদাগৰৰ বোজাই নাও কেইখনে দিখৌ বুকুখন গুৱাই তাত সৰু সৰু ঢৌৰ অলেখ আঁক দি দি মোচৰে মোচৰে আহিবলৈ ধৰিলে। তৃতীয় দিনৰ দিনা দুপৰীয়া ৰংপুৰ চহৰৰ সন্মুখ হলহি। দিখৌৰ বালিটুপতে সদাগৰে নাও বান্ধি বালি চিকুণোৱাই খোলা এখন চিকুণোৱাই আঁৰ-কাপোৰ তৰোৱাই টৌ-খুটি মাৰি ভাত বান্ধিবৰ দিহা কৰিলে। বান্ধনী বতাহী। ভাত নমাবৰ হৈছে, এনেতে কোনোবাই বতাহীক বাতৰি দিলে যে তাইৰ লোকাপাৰটো নাৱৰ কুন্ধিৰ পৰা ওলাই উৰি গৈ ওচৰৰে চতিয়না গছজোপাত পৰিছে। নমাবলৈ ধৰা ভাতচৰুটো তাতে এৰি বতাহী ওলাই আহিল। তাই গছজোপাৰ আগত থকা পাৰটো দেখি মাতিবলৈ ধৰিলে—"আহ! আহ! লোকাই আহ!" সেইদিনা পাৰটোৰ কি হৈছিল কব নোৱাৰি সি বতাহীৰ মাতলৈ আওকাণ কৰি আকৌ উৰি গৈ অলপ দূৰত সৰিয়হৰ পথাৰ এখনৰ মাজত থকা পোলোঙা পলাশ গছ এজোপাৰ টিঙত পৰিলগৈ। পাত নথকা পলাশ জোপা ফুলেৰে ৰাঙলী হৈ আছিল। বতাহী লৰি গৈ পলাশৰ তল পালেগৈ। গছ-জোপাৰ টিঙত বহি থকা পাৰটোক তাই মাতেহে মাতে, সি নাহে। এনেতে হঠাৎ 'আই ঔ'। বুলি বতাহী সৰিয়হ তলিতে মূহুকছ্ গৈ পৰিল। বতাহীৰ 'আই ঔ' শুনি বাপেক আৰু আন আন নাৱৰীয়া-বোৰ লৰি গল। তেওঁলোকে দেখিলে বতাহীৰ মুখখন নীল হৈ পৰিছে। হালধীয়া সৰিয়হৰ ফুলবোৰে তাইক আবৰি ধৰিছে, আৰু লোকাপাৰটো তাইৰ বুকুত পৰি মুখতে মুখ দি আছে।

দাংগোলাকৈ বতাহীক নাৱৰ ওচৰলৈ অনা হ'ল। কিন্তু এতিয়া বতাহীৰ গাত আৰু প্ৰাণ নাই; বাটতে সি বতাহৰ লৈতে মিলি গ'ল। গোটেইখন হুৱাদুৱা লাগি পৰিল। নাৱৰীয়া গোটা-চেৰেকে বতাহী পৰা ঠাইডোখৰলৈ গৈ ভালকৈ চাই দেখিলে যে, তাতে মাটিকেঁটা সাপ এটাই গাঁতৰ পৰা মূৰটো উলিয়াই আছে। সাপটো মাৰিলে বতাহীক জীয়োৱা টান ভাবি, সিহঁত গুচি আহিল। অনেক জৰা-ফুকা কৰা হল; কিন্তু বতাহীৰ দেহলৈ আৰু প্ৰাণ নাহিল।

বতাহীৰ বাপেকৰ চকুৰ পৰা এটোপা পানীও ওলোৱা নাছিল। মাথোন ওলাইছিল মুখৰ পৰা এটা দীঘল হুমুনিয়াহ। তেওঁ ভাতপানীবোৰ দলিয়াই পেলোৱাই বতাহীয়ে ভাতবন্ধা ঠাইতে তাইক খৰি দিয়ালে।

পিচদিনা সদাগৰ কেঁহোকলিয়ে ওচৰৰ চাৰিও ফালৰ মানুহক খবৰ দিয়াই মতাই আনি সাতখন নাৱৰ হাঁহ, পাৰ, ছাগলীবোৰ বিলাই দিলে। নাও সাতখনত বালি ভৰাই বালিটুপৰ মুলিটোত সাতোখন নাও বুৰাই দিলে। তাৰ পিছত মাথোন হাতত বতাহীৰ লোকাপাৰটো লৈ লগৰীয়া নাৱৰীয়াবোৰেৰে সৈতে খোজ কাঢ়ি ঘৰগাঁৱলৈ উভতি গল।

খবৰটো ঘৰত ওলালতে গাঁও গোটেইখনত হুৱাদুৱা লাগি পৰিল। কুটকুৰী বুঢ়ীৰ কান্দোনত গগণ ফাটিল। কেহোঁকলিয়ে বণাইক কাষলৈ মাতি আনি তাৰ হাতত লোকাপাৰটো দি কলে—"এয়া, তোমাৰ বতাহীক লোৱা।" বণায়ে পাৰটো বুকুত বান্ধি লৈ গুচি গল।

কুটকুৰী যেই বিচনাত পৰিল, তিনিদিনলৈকে কোনেও তেওঁক তাৰপৰা তুলিব নোৱাৰিলে। চতুৰ্থ দিনাৰ পুৱাতে দেখা গল যে, চোতালৰ তুলসীজোপাৰ তলতে মূৰটো দি বুঢ়ী মৰি পৰি আছে। বতাহীয়ে এখন মুগাৰ বিহা বৈছিল। বিহাখনৰ আঁচলত তাই বতাহী বুলি নামটো আঁচুৰে তুলি লৈছিল। দেখা গল, বুঢ়ীৰ গাত সেইখন বিহা।

জীয়েক আৰু ঘৈণীয়েকৰ শোকত কেহোঁকলি অলকা লাগিল। ইয়াৰ পিছত আৰু তেওঁ সৰহ দিন নিজীলে।

এই ঘটনাৰ এবছৰৰ পিছত, এদিন দুপৰীয়া শিৱসাগৰ দ'লৰ মুখত—বৰগছ এজোপাৰ তলত এটা জপৰা-চুলিয়া আদ্‌বলিয়া মানুহ বহি থকা দেখা গৈছিল। তাৰ হাতত লোকাপাৰ এটা। পাৰটোক সি ঘনে ঘনে চুমা খাইছে, বুকুত লৈছে; আৰু মানুহে বেঢ়ি ধৰি তাক চাইছে। কোনোৱে কৈছে, সাধক বাবাজী, কোনোৱে কৈছে বলিয়া, আৰু কোনোৱে কৈছে ভুৱাচোৰ। সেইদৰেই সি গছৰ তলত দুদিন আছিল। তৃতীয় দিনৰ ৰাতি সি গছ তলতে শুই থাকোতে কোনোবা দুষ্ট

মানুহে তাৰ পাৰটো চুৰি কৰি লৈ গ'ল। পুৰা তাৰ টোপনি ভাগিলত, সি পাৰটো নেদেখি আৰু ইকালে সিকালে বিচাৰিও ক'তো নেপাই, এটা চিঞৰ মাৰি তাৰপৰা কৰবালৈ গুচি গল। কোনেও আৰু তাক দেখা নেপালে। দুদিনৰ মূৰত বালিটুপৰ ঘুলিত এটা মানুহৰ মৰাশ উপঙি থকা খবৰ ওলালত পুলিচে শটো তুলি আনি দেখিলে যে সেইটো সেই বলিয়া ফকিৰটোৰ শ। *

(* বাঁহী: ২১শ বছৰ, ২য় সংখ্যা ॥ মাঘ, ১৮৫৪ শক)

স্মৃতি

সুকুমাৰ ডাঙৰ মানুহৰ ল'ৰা। তাৰ খাব-পিন্ধিবৰ অভাৱ নাই। স্বভাৱতে সি বুদ্ধিমান, কিন্তু পঢ়া-শুনাত হলে তাৰ মন নাই। তাৰ চৌধ বছৰ বয়স হল; তথাপি সি ইংৰাজী স্কুলৰ চতুৰ্থ শ্ৰেণীতে। দেউতাকে "পঢ় পঢ়" কৰে; সুকুমাৰে আগতে কিতাপ মেলি লৈ আকাশ পাতাল ভাবে। ক'ত গছত পকা আম, দাঁহেচীয়া মধুৰি-আম আছে, ক'ত মৰৰ পানী-পাছৰ চুকত মৰলে বাহ সাজিছে, সেই মৰলৰ বাহ ভাঙি তাৰ টোপ লৈ ক'ৰ পুখুৰীত মৰণী বাই পুঠিমাছ ধৰা যাব; ক'ত গছৰ বাহৰ পৰা চৰাই-পোৱালি আনি পুহিব লাগিব; পোহনীয়া মেকুৰী, কুকুৰ, পহু-পোৱালিৰে কেনেকৈ ধেমালি কৰিব লাগিব, ইত্যাদি কথাৰে সুকুমাৰৰ মূৰ ভৰপূৰ; তাত স্কুলৰ পাঠ্য কিতাপৰ কথালৈ ঠাই তাকৰ। স্কুললৈ তপতে তপতে ভাত এগাল খাই সি যায় হয়। কিন্তু পঢ়াৰ মহলা দিব নোৱাৰি শিক্ষকৰ গালি খাই শাস্তি ভুগি মৰলৈ আহে, আৰু মাকে আতোপুতোকৈ দিয়া ম'হৰ এঠা গাখীৰেৰে কোমল চাউলৰ জলপান এটা খাই, স্কুলৰ সকলো ডাবি-শাস্তি পাহৰি পেলাই লগৰীয়া ল'ৰাৰে সৈতে ধেমালিত পূৰ্ব্বৰতে মগন হয়। এদিন শিক্ষকে সুকুমাৰৰ পঢ়াত অমনোযোগিতাৰ বিষয়ে দেউতাকৰ আগত গোচৰ দিলত দেউতাকে ধৰি সুকুমাৰক চেকনিৰে নখৈ কোবালে। সি মাৰ খাই অভিমান কৰি পলাই কোনেও নেদেখাকৈ তেঁতেলী গছ এজোপাৰ ওপৰত উঠি তাৰ কেৰেকা ডাল এটাত শুই থাকিল। ওবে দিনটো ওবে ৰাতিটো আৰু মৰলৈ নাহিল। মাকে বিচাৰি নাপাই "মোৰ ল'ৰাটো ক'লৈ গ'ল" বুলি কান্দিবলৈ ধৰিলে; দেউতাকে মনত বৰ দুখ পাই অনুতাপ কৰি "হেৰ সুকু, আহ, ক'ত আছ্ ওলাই আহ; আজিৰপৰা আৰু তোক মই নামাৰোঁ।" বুলি মাতি মাতি ফুৰিব লাগিল। এনেতে সুকুমাৰে ৰাতি শুই থকাৰ পৰা উঠি চিঞৰৰ মাতত গছৰ পৰা ... [পিছদিনা ...]

পিছদিনা পুৱা ভোকে-পিয়াহে লাল-কাল লগা সুকুমাৰ মাকৰ ওচৰত উপস্থিত হ'লত, মাকে পুতেকক সাবট মাৰি ধৰি চকুলো টুকি আদৰেৰে সানমিহলি ভৰ্ৎসনা কৰি, গা-পা ধুৱাই ভালকৈ খাবলৈ দিলে; দেউতাকেও তাক দূৰৈৰপৰা মিঠা মাতেৰে সম্ভাষণ কৰি বুজনি দি শান্তি লভিলে।

সুকুমাৰৰ দেউতাক পুৰণি ধৰণৰ মানুহ। কোন বাটেৰে পুতেকক সাৱধানে বলাই আনিলে তাৰ পঢ়া-শুনাত মন বহিব, সেইটোৰ উৱাদিহ তেওঁ ভালকৈ নাজানিছিল। তেওঁ জানিছিল যে, পুতেকক স্কুলত নাচুল দি পঢ়িবলৈ পঠিওৱা হৈছে যেতিয়া, স্কুলৰ অধ্যাপকে পুতেকক অচিৰতে সৰ্ব্ব-বিদ্যা-বিশাৰদ কৰি তুলি তেওঁক শোধাই দিব। তেওঁ নাজানিছিল যে, আজিকালিৰ স্কুল আগৰ দিনৰ নিচিনা বিদ্যাৰ্থীক পৱিত্ৰ বিদ্যা দান দিয়া পঢ়াশালি নহয়। সি চকী, মেজ, বেঞ্চ, ঘড়ী, চকীদাৰ আদিৰে বিভূষিত আৰু গুৰু-শিষ্যৰ আন্তৰিকতাশূন্য ক্ষন্তেকীয়া সমন্ধেৰে সমন্ধ লগা নিৰ্ম্মম মহলা লোৱা কাৰখানাহে। তাত ছাত্ৰৰ মানসিক সুবৃত্তিবোৰ পৰিবৰ্দ্ধিত নহৈ জাঁতত চাউল পিহ খোৱাদি পিহ খোৱাৰহে বন্দবস্ত। সেই দেখি যেতিয়া তেওঁ এদিন সুকুমাৰৰ পঢ়া-শুনাৰ অভাৱ আৰু অমনোযোগিতাৰ বিষয়ে শিক্ষকৰপৰা শুনিলে, তেতিয়া হতাশ হৈ সকলো দোষৰ ভাগী সুকুমাৰকে কৰি সেইদৰে নিষ্ঠুৰভাৱে তাক প্ৰহাৰ কৰিছিল। দিন-ৰাতিৰ দোমোজা কালডোখৰ সকলোৰে পক্ষে ভয়ানক। দিন-ৰাতিৰ সন্ধি-ক্ষণতে নৰসিংহৰ দ্বাৰায় হিৰণ্যকশিপুৰ বিনাশ ঘটিছিল। পুৰণি সভ্যতা বা অসভ্যতা আৰু নতুন সভ্যতা বা অসভ্যতাৰ মাজৰ দুৰদৃষ্টৰ নিমিত্তেই এই ভদ্ৰলোকজনৰ এনে মানসিক বিপদ ঘটিছিল। সংক্ষেপতে এয়ে কথা।

তেওঁৰ দুটি পুতেক—সুকুমাৰ আৰু সুকুমাৰৰ ককায়েক দেৱকুমাৰ। দেৱকুমাৰে কলিকতাত পঢ়ি বি-এল পৰীক্ষাত উঠি ডিব্ৰুগড়ত ওকালতি কৰে। তেওঁ ভাল উকীল; গতিকে তেওঁৰ আয় আৰু সম্মানৰ ভাগো ভালৰ কালে। দেউতাক আৰু মাকে এই পুতেকৰ যশ আৰু প্ৰতিপত্তিত স্বভাৱতে নিজক নখৈ গৌৰৱান্বিত বিবেচনা কৰিছিল। কোনো ভদ্ৰলোকৰে সৈতে দেখা-শুনা হলে ক্ষন্তেকৰ পিছতে দেউতাকৰ মুখৰপৰা ডাঙৰপুতেকৰ যশস্যাৰ কথা ওলোৱাটো সূৰ্য্যোদয়ৰ নিচিনা নিশ্চয়। উকীল পুতেকৰো দেউতাক মাকৰ ওপৰত অশেষ প্ৰভাৱ; আৰু সেই প্ৰভাৱ বা প্ৰতাপ তেওঁ প্ৰতি কথাতেই প্ৰকাশ কৰিবলৈ কৃপণতা নকৰিছিল। তেওঁ ছুটীতহে বছৰেকে ঘাই ঘৰলৈ আহে; আৰু ককায়েক আহিবৰ আগ-বাতৰি শুনিলে সুকুমাৰে আনন্দতে জঁপিয়ায়; কিন্তু ককায়েক আহি পালে সুকুমাৰ

তেওঁৰ সন্মুখত থিয় হ'ব নোৱাৰে। কাৰণ সি ককায়েকৰপৰা গালি আৰু কদৰ্থনাৰেহে প্ৰথম সম্ভাষণ পোৱাটো ধৰা-বন্ধা কথা। এবাৰ এনে ঘটনাত মাকে বৰপুতেকক কলে, "তোৰ ভায়েৰে তই আহিবি বুলি শুনি বঙত জঁপিয়াই ফুৰিছিল আৰু তইনো তাক প্ৰথম আঘাৰ মাততে ইমানকৈ গালি পাৰিব আৰু কেঁকেটাৰ পাৰনে বাৰু?" মাকে বৰপুতেকৰপৰা ইয়াৰ উত্তৰ পালে, "তোমালোকে সুকুমাৰৰ মূৰ খালাইঁক। তাক মৰম চেলাই চেলাই গুচালাইঁক। ইমানটো খোদোঙা ল'বা, সি পঢ়া-শুনা নকৰে। আৰু দিনদিয়েকৰ পিছত সি ম'হ-গোৱাল হব লাগিব; নাইবা লোকৰ ঘৰত সিদ্ধি দিব লাগিব; নহলে ভাত খাব ক'ৰপৰা?" মাকে বৰপুতেকৰ মুখৰপৰা এই কঠোৰ তৰ্জ্জন আৰু নিৰ্ম্মম মন্তব্য শুনি চকুৰ পানী টুকি অলপ আঁতৰি গৈ প্ৰকৃতিস্থ হৈ পুনৰায় পুতেকৰ কাষ পাবলৈ কিছু সময় লাগিছিল।

এবাৰ পূজাৰ বন্ধত উকীল পো' যাই ঘৰলৈ আহোঁতে দেউতাক আৰু মাকক তেওঁ দৃঢ়ভাৱে কলে, "এইবাৰ মই এই গৰুটোক লগত লৈ যাম, মোৰ তত্ত্বাৱধানত ৰাখি পঢ়াম। তোমালোকে আৰু ইয়াক ইয়াত ৰাখি ইয়াৰ ইহকাল পৰকাল খাব নোৱাৰাইঁক। মই কাইলৈ যাম; ইয়াৰ কাপোৰ-কানিৰ টোপোলাটো বান্ধি মোৰ লগত দিবাঁ।" এই প্ৰচণ্ড আদেশ শুনি মাকে চকুৰ পানী টুকিলে; বাপেকে অনেক বিবেচনা কৰি অনেক খেবো-গেৰেঁ৷ কৰি সেই আদেশ মানিবলৈকে অন্তত থিৰ কৰিলে। এই অভাৱনীয় সিদ্ধান্ত শুনি সুকুমাৰৰ যদিও অণ্ঠে-কণ্ঠে শুকাই গৈছিল, তথাপি সি জানিলে যে, তাৰ আৰু অন্য পন্থা নাই; এইবাৰ ককায়েকৰ লগত ককায়েকৰ কঠোৰ শাসনৰ তলত থাকি সি লিখা-পঢ়া শিকিবলৈ যাবই লাগিব। গতিকে নিৰুপায় হৈ সিও এই নতুন অৱস্থাত আত্ম-সমৰ্পণ কৰাটোকেই থিৰ কৰিলে। তেতিয়াই সি তেঁতেলী গছ, আম গছ, কঁঠাল গছ, বৰপুখুৰী, কুলনিবাৰী, মুকলি আকাশ, আহল-বহল পথাৰ, উৰি ফুৰা পখিলা আৰু পোহনীয়া চৰাই-পছ, চৰি-ফুৰা গৰু-ঘোঁৰা, লৰি ফুৰা লগৰীয়াসকলৰ পৰা শোকাকুল হৃদয়েৰে অথচ দৃঢ় মনেৰে বিদায় লৈ সেই পৰম আত্মীয়সকলক পৰিত্যাগ কৰি বিদেশলৈ যাবলৈ সাজু হ'ল।

সুকুমাৰক লগত লৈ দেৱকুমাৰে মাক-বাপেকক সেৱা কৰি বিদায় লবৰ সময়ত মাকে সুকুমাৰৰ মুখত এটা চুমা খাই কলে, "হেৰ', তই ককাই-দেৱেৰৰ হাক-বচন মানি চলিবি, মোৰ সোণাই। আৰু মন দি পঢ়িবি।" আৰু বৰপুতেকৰ মুখত হাত ফুৰাই তেওঁ কলে, "হেৰ বৰবোপা, তাক তই বৰকৈ তৰি নকৰিবি, মোৰ মইনা; সি লাহে লাহে পঢ়িব; অজলা ল'ৰা, একেবাৰেই বৰকৈ টানি নধৰিবি।" এই বুলি নিজৰ আঁচলেৰে তেওঁ চকুৰ পানী মচিলে। বৰপুতেকে মাকৰ কথা শুনি মিচিক্ কৰে হাঁহি কলে—"হৈছে, হৈছে, আৰু তাৰ বিষয়ে তোমাৰ ভাবিবৰ দৰ্কাৰ নাই, লেন দি দি তাক যি লাগে কৰিলাইঁক।"

* *

সুকুমাৰক ডিব্ৰুগলৈ আনি ককায়েকে ইংৰাজী স্কুলত নাম লগাই দিলে আৰু পুৱা-গধূলি নিজে তাৰ পঢ়া-শুনাৰ তত্ত্বাৱধান কৰিবলৈ ধৰিলে। মুকলি আকাশত উৰি ফুৰা চৰাই লোৰ সজাত বান্ধ খালে। কঠোৰ শাসনৰ গধুৰ শিল সুকুমাৰৰ বুকুত বহিল। সুকুমাৰেও বিদ্ৰোহী নহৈ এই শাসন মানি ললে, কাৰণ তাৰ পঢ়া-শুনাত অপাৰগতাৰ নিমিত্তে এতিয়া নিজৰ মনতে ধিক্‌কাৰ উপস্থিত হৈছিল। ককায়েকো স্বভাৱতে যে বৰ নিষ্ঠুৰ প্ৰকৃতিৰ মানুহ আছিল এনে নহয়; কিন্তু ভাবিছিল, ভায়েকক কিছু দিন কঠোৰ শাসনৰ তলত ৰাখি অচিৰতে বিদ্বান কৰি দেউতাক মাক আৰু আনকো তধা লগাই দিব। কিন্তু কঠোৰ আৰু অবিবেকী শাসনৰ ফল শীঘ্ৰে ফলিল; সুকুমাৰৰ স্ব-ইচ্ছাৰ বিৰুদ্ধে স্বভাৱ-বিদ্ৰোহী হৈ উঠিল; তীক্ষ্ণ বুদ্ধিৰ সুকুমাৰৰ বুদ্ধি অচিৰতে ক্লান্ত হৈ অকৰ্ম্মণ্য হৈ পৰিল। ওবে দিনটো সুকুমাৰে কিতাপ আগত লৈ পঢ়েহে পঢ়ে, কিন্তু তাৰ পঢ়া আৰু আয়ত্ত নহয়। ফলত ককায়েকৰ শাসন, প্ৰহাৰ আৰু কটূক্তি দিনে দিনে বিমান কঠোৰৰ পৰা কঠোৰতৰ হবলৈ ধৰিলে, সুকুমাৰৰ বুদ্ধি-বৃত্তি, স্মৃতি আৰু পাঠ গ্ৰহণ কৰিবৰ ক্ষমতাও সিমান কমিবলৈ ধৰিলে।

এদিন গধূলি ককায়েকে সুকুমাৰৰ পঢ়াৰ মহলা লবলৈ বহি দেখে যে সি একোৰে ভালকৈ উত্তৰ দিব নোৱাৰে; আন কি, সি আগেয়ে বিবোৰ শিকিছিল সেইবোৰো তাৰ মনত নাইকিয়া হল। খং উঠি তেওঁ তাক অত্যন্ত প্ৰহাৰ কৰি আৰু গালি-শপনি পাৰি, শেহত নিজেই ক্লান্ত হৈ এই বুলি উঠি গ'ল, "তই আমাৰ বংশৰ কলঙ্ক। তোক মোৰ ভাই বুলি মানুহৰ আগত চিনাকি দিবলৈ মোৰ লাজ লাগে। তোক আইৰ ওচৰলৈ শীঘ্ৰে পঠিয়াই দিম; তাতে তোক আৰে আদৰ দি ভাণ্ডৱ-জীৱন কৰক, তাৰ পিছত লোকৰ ম'হ-গৰু ৰাখি বা চুৱা-পাত পেলাই ভাত খাবি।" সুকুমাৰ নিৰ্ব্বাক-নিস্পন্দ হৈ ৰ'ল।

ৰাতি ম্লান বদনে বৌৱেকে সুকুমাৰক ভাত খাবলৈ মাতিলত সি বৌৱেকক লাহেকৈ কলে— "বৌদেও, মই আজি ভাত নাখাওঁ, মোৰ পেটটো

বেয়া লাগিছে।" সুকুমাৰ ভাত খাবলৈ অহা নাই বুলি শুনি ককায়েকে উঠি আহি তাক কটুক্তি কৰি ভাত খাবলৈ আহিবলৈ হুকুম দিলত সি কাতৰ কণ্ঠেৰে কলে "ককাইদেও, সঁচাকৈয়ে মোৰ গা বেয়া কৰিছে, মই ভাত খাবলৈ যাব নোৱাৰোঁ।" ককায়েকে তাৰ গাত হাত দি চাই দেখিলে যে, সুকুমাৰৰ গা বৰ তপত।

* *

আজি সাত দিন হল, সুকুমাৰৰ লেৰালেপেৰা জ্বৰ। মাজে মাজে সি ভ্ৰম বকিছে। ককায়েকে জিলাৰ ডাক্তৰ লগাই তাৰ চিকিৎসা কৰাইছে হয়; কিন্তু দেউতাকলৈ সুকুমাৰৰ অৰৰ একো খবৰ দিয়া নাই। আঠ দিনৰ দিনা ডাক্তৰৰ পৰামৰ্শমতে সুকুমাৰৰ অৰৰ বাতৰি বিজুলী-ডাকেৰে ককায়েকে দেউতাকলৈ পঠিয়ালে। খবৰ পাই দেউতাক-মাক দুয়ো বিহ্বল হল আৰু দিনে তিনি-চাৰিখনকৈ বিজুলী বাতৰি তেওঁলোকৰ ভিতৰত চলাচল কৰিবলৈ ধৰিলে।

বিকাৰ অৱস্থাতে সুকুমাৰৰ মুখৰপৰা এইকেইটা কথা শুনা গৈছিল, "আই, তুমি আহিছা? মই পোহা চৰাই আৰু আন জন্তুবোৰ কেনে আছে? সিহঁতে মোক বিচাৰেনে? মই গৈ সিহঁতেৰে সৈতে উমলিম। মই পঢ়িম আই, তুমি নাভাবিবা। ককাই দেৱে মই পঢ়া-শুনা নকৰাত বৰ বেয়া পাইছে। মই পঢ়িম, ডাক্তৰ মানুহ হ'ম। উস ককাইদেও, মোক আৰু নেমাৰিবা, মই এইবাৰৰপৰা পঢ়া ঠিক মনত ৰাখিম। মই ভাল লৰা হ'ম। মোৰ বাবে তুমি আৰু লাজ নোপোৱা হ'বা।"

নৰিয়া পৰিবৰ দিনাৰেপৰা চৈধ্য দিনৰ দিনা সুকুমাৰৰ দেহসজাৰপৰা প্ৰাণ-পখী ওলাই গৈ চিৰকাললৈ মুক্তি লাভ কৰিলে। *

(* বাঁহী একাদশ বছৰ)

বিহু

চ'তৰ বিহুলৈ সাদিনমান থাকোতেই মোৰ ঘৰৰ লগুৱা ডেকালৰা কেইটা বিহু-বলিয়া হল। দূৰণিৰ পথাৰৰ পৰা অহা ঢোলৰ আৰু টকাৰ কোব সিহঁতৰ কাণত পৰিলেই গাত আৰু গোসাঁই নাথাকে। দিনত মোৰ ভয়ত সিহঁত কোনোমতে কুচিমুচি থাকি এধা, ডুখৰীয়া মনেৰে গৃহ-কাৰ্য্যৰ পক-বাটে মহ-বাটেদি চলি থাকে যদিও, কিন্তু ৰাতি মই শোৱাপাটিত পৰিলেই-লানুৰি-হেৰোৱা-পৰুৰে হেঘেলিয়াই লানুৰি ঘিচাৰি চাপজি নেলাদি বিহু-মাচৰ পথাৰৰ ফালে চাপলি মেলে আৰু ওৰে ৰাতি সাতি বাপি, পুৱা ঘৰলৈ আহি, ডাঙৰ বাগী-লগা মানুহৰ দৰে খপেঁজপোকৰে ঘৰৰ কাৰত হাত দি, মোৰ গালি-শপনি জীণ নিয়াৰৰ চেষ্টা কৰে। মই সৰুৰে পৰা শুচি-বায়ুৰা (puri an)। বিহুৰ নাচৰ নামত শিঙৰি উঠোঁ; বিহুৰ গীতৰ বিপক্ষে কাণত সোপা দিওঁ; বিহুচোৱা মানুহক কদৰ্থনা কৰোঁ।

উৰুকাৰ দিনা সন্ধ্যা লাগোঁ-লাগোঁ হৈছে। গোসাঁই ঘৰত বন্তি লগাই শঙ্খ ঘণ্টা বজাবৰ আয়োজন চলিছে। এনেতে মোৰ জুৰমন বোলা লগুৱা লৰাটোৱে ওচৰৰ পথাৰত ঢোলৰ চেও আৰু কালিৰ মাত শুনি, আত্মবিস্মৃত হৈ নিজক চম্ভালিব নোৱাৰি, এটা শিয়ালৰ হোৱা শুনি আনটো যতে থাওক তৰেপৰা, দেশ-কাল পাত্ৰ উচিত অনুচিত একো বিবেচনা নকৰি, সেই হোৱাত সৰ্ব্বতোভাৱে যোগ দিয়াৰ দৰে, গোসাঁই-ঘৰৰ কাষতে থকা পুখুৰীৰ পাৰৰ পৰা উকিয়াই দীঘলকৈ টানি গীত ধৰিলে:—

নিকিৰ ৰৰচাঙতে বজায় ৰবেকাঁহী,
ভৈয়ামত বজাইছে ঢোল।
চেঙেলীয়া মনকে বান্ধিবই নোৱাৰি,
ছিঙে মৰাপাটৰ ডোল।

এই বন গীতটো শুনিয়েই মই ঘৃতাহুতি হলোঁ। ঘৰকাঁহ বজাবলৈ লোৱা মাৰিডাল হাতত লৈয়েই গোসাঁই ঘৰৰ পৰা ওলাই জুৰমনক মাৰচেৰেক লগাবলৈ মই দিলোঁ খেদা। সি মোক সেই দৰে অহা দেখিয়েই দিলে লৰ। ময়ো উধাতু খাই তাৰ পাছে পাছে লৰিবলৈ ধৰিলোঁ। ফিৰিঙতি ভগাদি ভগা ডেকালৰা তাক মই কেনেকৈ লগ পাওঁ? লাভৰ ভিতৰত কাঠৰ মুঢ়া এটাত উজুটি খাই ধুপকৰে পৰিলোঁ। ওচৰতে থকা শিল এডোখৰৰ ওপৰত মূৰটো ঠেকেচা খালে। মই ক্ষন্তেকতে অজ্ঞান হৈ পৰিলোঁ। তাৰ পিছত কি হল কওঁ শুনা:—

মই এখোজ দোখোজকৈ পথাৰৰ বৰগছ এজোপাৰ তল পালোঁগৈ। কাষতে বিহুৰ নাচ আৰু বাজনা চলিছে। বিহুনাচৰ বিৰুদ্ধে মোৰ আগৰ সংস্কাৰ লোপাই উভি গল। মনটো এনে হল যেন কোনোবাই মোক মাতি নিলে, মই নাচনিয়াৰহঁতৰ লগতে লগ লাগি দুপাক চাৰিপাক নাচিবই পাৰোঁ। কিন্তু মোক মাতে কোনে। নাচনিয়াৰহঁত নিজৰ নাচ-বাগত ব্যস্ত; বৰং মোক দেখি সিহঁতে অলপ ভয় আৰু সঙ্কোচৰ ভাবহে দেখুৱাইছে যেন লাগিছে। এনেতে দেখিলোঁ আদহীয়া বয়স ছেই যোৱা বুঢ়ী এজনী কৰবাৰ পৰা আহি মোৰ ওচৰতে থিয় হলহি। তাই মোৰ মুখলৈ চাই কলে—"দেউতা, নাচিবনে? আহক, নাচে যদি মোৰে সৈতেই নাচক।"

মই তাইক কলোঁ—"তইতো বুঢ়ী ; তোৰো নাচিবৰ মন গৈছে নে ?"

তাই কলে—"অ' আই ! যাবতো । বুঢ়ী হলো কি হল, বছেৰেকৰ বিহুৰ দিনা এপাক নাচিও নলম নে ?"

বুঢ়ীৰে সৈতে নাচিবৰ মোৰ তিনি ভাগ মন গৈছে, এভাগে খেৰোগেৰো কৰিছে । এনেতে দেখিলোঁ মোৰ সেই জুৰমন লগুৱাটোৱে দূৰৰ পৰা মোৰ কালে চাই মিচিক্-মিচিক্কৈ হাঁহিছে । খপ্কৰে মোৰ মনটো সামৰি, বুঢ়ীক কলোঁ—"নানাচো যা ।"

এই বুলি তাৰ পৰা এফলীয়া কাটি আনফালে হৈ লাহে লাহে আন এখন পথাৰৰ বিহু হাটত ওলালোঁগৈ । দেখিলোঁ তিনটা ডেকা লৰাই এজনী ডেকেৰী ছোৱালীক দাংদোলাকৈ লৈ লৰ ধৰিছে, আৰু পাছে পাছে গোটাচেৰেক মানুহে ধৰ ধৰকৈ খেদি গৈছে । ময়ো একেলৰেই সিহঁতৰ কাষ পাই লকিমাৰি দি কলোঁ—"ৰ ! তাইক নযা ।"

মোৰ কথা শুনি সিহঁতে ছোৱালীজনীক নমাই থৈয়েই ফিৰিঙতি ডগাদি ভাগিল । মই ছোৱালীজনীক সুধিলোঁ-"তোক সিহঁতে পলুৱাই লৈ গৈছিল ?"

তাই কলে-"নাই যোৱা । মই আপোন-খুচীতে আহিছিলোঁ ।"

মই ।—তেন্তে সিহঁতে তোক এই দৰে দাংদোলাকৈ আনিছিল কিয় ?

ছোৱালী ।—লোকক দেখুৱাই । ময়ে মোক সেইদৰে ধৰি লৈ যাবলৈ সিহঁতক বুধি দিছিলো ।

চোৰৰ পাছে পাছে ল'ৰা মানুহকেইটাই কলে—"দেউতা সিহঁতক গৰুবাবলৈ এই এইবোৰ মিছা কথা কৈছে । আমি এইক লৈ গৈ এইৰ মাক-বাপেকক গোধাই দিম গৈ, নহলে বুঢ়া বুঢ়ী কান্দি মৰিব । সেই ডেকা ল'ৰা কেইটাৰ ওপৰত কাচাৰিত গোচৰ কৰিব লাগিব দেউতা । দেউতাকো সাক্ষী মানিব লাগিব ।"

এই কথা শুনি মই ছোৱালীজনীক সিহঁতৰ জিম্মাত দি তাৰ পৰা গুচি গলোঁ । যাওঁতে দেখিলো, জুৰমনে আকৌ দূৰৰ পৰা মোৰ কালে চাই মিচিকীয়া হাঁহি মাৰিছে । মোৰ নখে খং উঠিল । কিন্তু তাক ধৰোঁ কেনেকৈ ? খেদা মাৰিলেই লৰ মাৰিব । মনৰ খং মনতে ৰাখি লাহে লাহে যাবলৈ ধৰিলোঁ । এনেতে দেখিলোঁ, আন এখন পথাৰত এজাক মানুহে নাকী সোলোকাই দিয়া দুটা গল্-খন-খৰা মহৰ যুঁজ লগাই দি অতি উছাহেৰে ৰং চাইছে । মই ভাবিলোঁ, মাঘৰ বিহুতহে ম'হ যুঁজায় । এই চ'তৰ বিহুত ইহঁতে ম'হ-যুঁজখন পাতিছে কিয় ? যি নহওক, ময়ো সিহঁতৰ কাষতে থিয় দিলোঁ । এটা ম'হে পথাৰখনৰ এমূৰে মূৰ পাতি খোপনি পিটি ৰৈ আছে আৰু আনটোৱে সিমূৰৰ পৰা দলিটো অহা দি আহি সেই মূৰত তাৰ মূৰেৰে দুৰ্জ্জয় খুন্দা মাৰি খুন্দাৰ শবদত পথাৰ গোটেইখন কঁপাই দিছে । তাৰ পিছত দুইটাই দুইকো শিঙেৰে খুচিবলৈ ধৰিলে, আৰু এবাৰ এটাই আনটোৰ পেটত শিঙেৰে খোচ মাৰি দি তাৰ ভুৰু উলিয়াই দিলে । মই বিজিয়াবলৈ ধৰিলোঁ—"হেৰ এৰুৱাই দে । এৰুৱাই দে ।"

কিন্তু আৰু কি হব, সিকালে সাঙেই হল । মনত বৰ বিৰক্তিয়ে ধৰিলে । মানুহবোৰে এনে নিষ্ঠুৰ আমোদৰ খেল পাতি ৰং চোৱা বাবে সিহঁতক গালি পাৰি বিৰক্ত হৈ তাৰ পৰা গুচি গলোঁ । উভতি চাই দেখিলোঁ, প্ৰথমখন বিহুৰ ঠাইত মই লগ পোৱা বুঢ়ীজনী মোৰ পাছে পাছে আহিছে । তাই আকৌ মোক নাচিবলৈ নিমন্ত্ৰণ কৰিবলৈকে আহিছে ভাবি, মই তাইক কলোঁ, "তই মোৰ পাছ ধৰিছ কিয় ? মই নাচিব-তাচিব নোৱাৰোঁ ।"

তাই হাঁহি কলে, "মই নাচিবলৈ মাতিবলৈ অহা নাই । মই মাথোন দেউতাক কবলৈ আহিছোঁ যে জিলাৰ ৰবচাহাবক কৈ এই গোকাট ম'হ-যুঁজবোৰ বন্ধ কৰাব নোৱাৰে নে ? এতিয়া সৌ যিটো মহ খোচত মৰিল সেইটো মোৰ জোঁৱাই লৰাটোৰে মহ । মই তাক ইমান হাক দিছিলোঁ, সি মোৰ কথা নুশুনি এতিয়া পালে পোটোকা । তিনি কুৰি কপৰ মহটো খিতাতে গল ।" মই এই বিষয়ে কি পাৰোঁ কৰিম বুলি শলাগি যাবলৈ ধৰিলোঁ ।

অলপ গৈ দেখিলোঁ, এজাক ডেকা লৰাই এজাক গৰুৰ গাত মাহ হালধি সানি নৈত গা ধুৱাবলৈ নিছে । ইটোৱে সিটোৰে গাত "লাও খা", "বেঙেনা খা" বুলি চকলাচকলে লাও, বেঙেনা আৰু কেৰেলা মাৰিছে । মোৰ পিঠিতো দুচকলমান পৰিল । মোৰ গাত কোনে লাও বেঙেনা মাৰিছে বুলি উভতি চাই দেখো, সেই নাচনিয়াৰ বুঢ়ীজনীয়েই । মোৰ খং উঠি তাইক কাৰণ সুধিলত তাই হাঁহি হাঁহি কলে—"দেউতাইনো আকৌ খংটো কৰিছে কেলৈ ? বছেৰেকৰ গৰু বিহুৰ দিনা এই দৰে দুচকল এচকল লাও বেঙেনা পালে মাৰিলে, বছেৰেকলৈকে সকলো অপায় অমঙ্গল গুচে ।"

মোৰ ওপৰত নাচনী বুঢ়ীৰ ইমানটো 'দৰদ' দেখি আৰু তাই মোৰ মঙ্গলৰ নিমিত্তেহে তেনে কৰিছে বুজি আৰু একো নামাতি যাবলৈ ধৰিলোঁ । কিন্তু আকৌ দেখিলো অলপ দূৰতে ৰৈ মোৰ জুৰমন লগুৱাই মোৰ কালে চাই মিচিকীয়া হাঁহি মাৰিছে ।

মই খঙত তাক কি কৰিম, একোকে ভাবি নাপাই বাধলৈ ধৰিলোঁ।

ইয়াৰ পিছত খাউহতীয়া হৈ বাঁওপকীয়াকৈ বাওতলী এখনেদি গৈ থহ গাঁৱত ওলালোঁগৈ। দেখিলোঁ, থহত গছ্‌ এজোপাৰ তলত খৰখৰ গোটা-চেবেকেৰে প্ৰথম মানুহ থৰত, তিনিটা ঢেঁকীৰে ছজনী জীয়াৰী বোৱাৰীয়ে খিলি চিৰা, সান্দহ আৰু পিঠাগুৰি খুন্দিছে। মোক দেখি সিহঁতে লাজ বা সংকোচ একোকে নকৰি ঢেঁকীৰ চাবে চাবে জাঁত জাঁত কৰে নাম গাইছে। ডেকা মানুহ এটাই বুটি কোৰ এখনেৰে আগ চোতালখন চুকৰি চিকুণাব লাগিছে। কাষতে চালি এখনৰ তলত বহি বুঢ়ী এজনীয়ে হেঁচা পিঠা ভাজিবলৈ খোলা পাতিছে। মোক দেখিয়েই বুঢ়ীজনীয়ে মাতিলে—"মোৰ বহনা। মোৰ দেউতা! আহক, এইখিনিতে বহক। ভাজি দিওঁ, পিঠা এডোখৰকে আমাৰ খিজৱান বুলি খাই যাওক।"

বুঢ়ীৰ মুখলৈ চাই মই অবাক হলোঁ; কাৰণ সেইজনীয়েই মোৰ আগৰ চিনাকি সেই নাচনী বুঢ়ী। তাইক সুধিলোঁ—"তই দেখোন মোৰ পাছে পাছে আহিছিলি। এতিয়া মোৰ আগেয়েই এইখিনি পালিহি কেনেকৈ।"

বুঢ়ীয়ে হাঁহি উত্তৰ দিলে, "আপুনি বাঁওপকীয়া হৈ বাওতলীয়েদি ঘূৰি আহিল দেখি ভালেখিনি পলম হল। মই ধাট পোনাই আহিলোঁ। এইটোৱেই মোৰ ঘৰ। তিনটা ঢেঁকীত খুন্দনিৰ কাষত সেই তিনিজনী মোৰ বোৱাৰী, আৰু নেজত সেই তিনিজনী জী। মোৰ তিনটা পোৰ এটাই সেয়া চোতাল চুকৰিছে, দুটাই গৰু-পাইক গা ধুৱাবলৈ লৈ গৈছে। মোৰ দেউতা! মোৰ বহনা! আহক! এই ভুখৰি পীৰাতে বহি জিৰাওক আৰু পিঠা এডোখৰকে খাওক। আজি খিজৰ দিনা আপুনি আলহী, আপোনাক এনেই যাবলৈ দিব নোৱাৰো, দিলে গৃহস্থৰ অধৰম হব।"

বুঢ়ীৰ এই সাদৰি কথাত বোৱাৰীয়েক জীয়েক-হঁতেও যোগ দিলে। মই দেখি আচৰিত মানিলো, যে মোৰ আগত বুঢ়ীৰ বোৱাৰীয়েক জীয়েকহঁতৰ স্বাধীন আৰু মুক্ত ভাব। বৰং মোৰ সংকোচ হৈছে, সিহঁতৰ সমুলি নাই। বুঢ়ীজনী কিন্তু অতি অদ্ভুত। তাই কেনেখাকৈ মোৰ মনৰ ভাব আৰু লোযোৰ-মোযোৰ অৱস্থা বুজিব পাৰি কবলৈ ধৰিলে—"দেউতা, আপোনাসকল ডাঙৰ মানুহ, সভ্য মানুহ, ইংৰাজী লিখা পঢ়া জনা। আমি অসভ্য গাঁৱলীয়া; ইংৰাজী পঢ়া তলাৰ ভতকে নাপাওঁ। কিন্তু একেষাৰ কথা মই ডাঙৰীয়াক কওঁ। আমি বনৰ ফুল, ঈশ্বৰৰ আপডালত বনতে বাঢ়িছোঁহক, মিছা-বেহা, মিছা লাজ, মিছা সংকোচ কাক বোলে আমি নাজানো-হঁক। আপোনাসকল ফুলনিৰ বাগিচাৰ ফুল, কত ৰকম কৰি কত চিত্ৰ-বিচিত্ৰ কৰি আপোনা-লোকক মালীয়াই সজাই পানী দিছে, আপদাল কৰিছে। এদিনৰ অযত্নতে, অলপ কথাতে আপোনা-লোক জঁয় পৰি শুকাই যায়। আমি সেই বিধৰ নহওঁ।"

এনেতে দেখিলোঁ ছওজনী বোৱাৰীয়েক জীয়েকে ঢেঁকী এৰি মাকৰ কাষত থিয় হৈছিহি। একোজনী যেন একো পাহি ভগৰ ফুলহে। কাৰো মুখত সংকোচৰ ভাব নাই। এটাই কেউজনী প্ৰফুল্ল-মনী। হঠাৎ বুঢ়ীয়ে মোক সুধিলে—"মোৰ বয়স কিমান কওকচোন?" মই কলোঁ—"দুকুৰিমান হব।"

মোৰ কথা শুনি জীয়েক বোৱাৰীয়েকহঁতৰ মাজত হাঁহিৰ ৰোল উঠিল। সিহঁতে কলে—"আমাৰ আইৰ এই ফাগুণত তিনি কুৰি ৯ বছৰ উকলি গৈছে।"

মই কলোঁ—"অসম্ভৱ"।

বুঢ়ীয়ে কলে—"নহয় দেউতা। অসম্ভৱ নহয়। মোৰ বয়স সেয়ে। বছৰৰ লেখে মানুহক বুঢ়া নকৰে, মনেহে কৰে। নগৰীয়া মানুহৰ জীৱন অস্বাভাৱিক, সেইদেখি আপোনালোক সোনকালে বুঢ়া হয়। মই এতিয়াও ল'ৰা-ছোৱালীৰ দৰে নাচো, হাঁহি-ধেমালি কৰি আনন্দত ফুৰোঁ, সেইদেখি মই এইদৰে আছোঁ। আজি আপোনাক সেই গছৰ তলত নাচিবলৈ লগ ধৰোঁতে আপুনি মোক যে কেনেবা যেন পাইছিল সেইটো মই বুজিছিলো। আপোনা-লোকে ইংৰাজী পঢ়ি ইংৰাজী সভ্যতা শিকি তাকে ভাল বুলি সাবোগত কৰি লৈছে, সেইদেখি চাহাৰ চাহাবনীয়ে নাচিলে আপোনালোকে ৰেয়া নেদেখে, বৰং সেই নাচত আপোনালোকে সুবিধা পালে যোগ দিবলৈকো ৰাজী। বিলাতৰ ফালৰ কত ৰকম নিলাজ নাচক আপোনালোকে শিক্ষাৰ গুণত নিলাজ বুলি ভাবিবকেই নোৱাৰে; কিন্তু আমাৰ সাতাম-পুৰুষীয়া খিজৰ নাচ কেৱা আপোনাসকলৰ চকুৰ কুঁটা, দাতৰ শাল।"

মই আচৰিত মানিলো যে এই বুঢ়ীজনী কোন? গাঁৱলীয়া এই কেনেকৈ শিক্ষিত মানুহৰ দৰে কথা কৈছে?

বুঢ়ীয়ে অলপ পৰৰ মূৰত মাত লগালে—"মোৰ গিৰিহঁত ঢুকাবৰ আজি আঠ বছৰ হল। এই পো জী বোৱাৰীহঁতকে লৈ ঈশ্বৰৰ কৃপাত এক প্ৰকাৰ ভালেই আছো।".

এনেতে বুঢ়ীৰ বাংধালী খোৱাবীয়েক এজনীয়ে বুঢ়ীৰ কালে চাই কলে—"আই। আপুনি এই ডাঙৰীয়াতে থিয়া নোৱাওক।"

এই কথা শুনি ছওজনীয়ে কিৰীলি মাৰি হাঁহি দিলে।

বুঢ়ীয়েও সেই হাঁহিত যোগ দিদি থাকিব নোৱাৰিলে তথাপি খোৱাবীয়েকৰ পিঠিত লাহেকৈ থাপৰ এটা মাৰি কলে—"এই বান্দৰীজনীৰ কথাখন শুনহঁক।"

মই লাজতে বজা পৰিলোঁ। এনেতে দূৰত আকৌ দেখিলোঁ মোৰ সেই জুৰমন লগুৱাই মোৰ কালে চাই মিচিকীয়া হাঁহি মাৰিছে। কটা কি দুষ্ট। মোৰ পাছে পাছে থেটাই শনিগ্ৰহ ফুৰাদি ছিদ্ৰ চাই ফুৰিছে। যি থাকে কপালত এথাৰ লাঠুৰাক ধৰিব পাৰিলে গোবহা কিলৰ জাউৰি লগাম। ইয়াকে থিৰাং কৰি একে চাবেই সিহঁতৰ মাজৰ পৰা মই উঠিলোঁ।

চকু মেলি চাওঁ, মোৰ শোৱাপাটীতে মই পৰি আছোঁ। মোৰ মূৰত বেণ্ডেজ (ফটাকানি) বন্ধা। ওচৰতে ডাক্তৰ আৰু দুজন মানুহ। মই সুধিলোঁ, মই কত আছো। ডাক্তৰে কলে "আপুনি কথা নকব। শুই থাওক।" মই ঘৰকৈ উচপিচোৱা দেখি কলে, "আজি তিনিদিনৰ মূৰত আপুনি জ্ঞান পাইছে; পৰশুই দিনা উজুটি খাই পৰি মূৰত টান পাইছিল। ভয় নাই এতিয়া আপুনি ভাল হৈছে; কিন্তু মনে মনে শুই থাকিব লাগিব, কথা কব নোৱাৰে।"*

(* বাঁহী—১৪ বছৰ, ১ম সংখ্যা। ১৮৪৬ শক, বহাগ)

জুৰমন বাইডঙীয়া
[এবেগেতীয়া সাধু]

জুৰমনৰ ঘৰ যোৰহাটৰ খৰিকটীয়া গাঁৱত। আৰু তাৰ গাঁৱৰ মানুহে জুৰমন বাইডঙীয়া বুলি মাতে। ৰজাৰ দিনত তাৰ বাপেক ৰজাৰ বাইডাং ধৰা খাৰত আছিল। সেইদেখি যদিও ৰজা গ'ল, ৰজাৰ ৰাজ্য গল, তথাপি বাপেকৰ পুতেক জুৰমনৰ হাতৰপৰা বাইডাংডাল নগল। চমুকৈ এয়েই কথা।

মানুহটিৰ খেতি-পথাৰ, ধন-খাইন অনুটুপীয়া বিধৰ। খানে খছেবেকলৈ জোৰে। হাতত দুই-চাৰি টকা ৰূপো সাঁচতীয়াভাৱে যে বৈ নাথাৰ এনেও নহয়। জুৰমনৰ ঘৰ কেঁচাৰবীয়া গোসাঁইৰ শিচ। জুৰমন কিন্তু কেতিয়াও গোসাঁইৰ সত্ৰলৈ যোৱা নাই দেই। কেতিয়াবা গুৰুঘৰৰ পৰা ৰাজমেধি আহি অনেক প্ৰবন্ধ কৰিছে তাৰপৰা কৰ-কাটল অলপ-অচৰপ উলিয়াই লৈ যাব পাৰে; পৰাপক্ষত আপোন ইচ্ছাতে সি দিব নোখোজে। মানুহটো দিনে-ৰাতিয়ে নিজৰ খেতি-বাতি আদি ধনত ব্যস্ত থাকে। কাৰো লগতে দন্দ-হাই কৰা, বা গাঁৱৰ আন মানুহৰ মাজৰ কোনো কথা-বতৰা লৈ থাক-বিতণ্ডা কৰাত সি নাথাকে। তাৰ নামটো যেনে জুৰ, স্বভাৱটোও তেনে জুৰ কৰি মিলাই ঈশ্বৰে চজিলে। এই গল তাৰ সংক্ষিপ্ত ইতিহাস। আৰু এটা কথা এই-খিনিতে কোৱাৰ সকাম পৰিছে যে সৰুবেপৰা তাৰ কথা কোৱাত এটা বেয়া অভ্যাস সোমাইছিল। সি কথাষাৰেপতি তাৰ ভিতৰত 'চেলাটো হল' এই মাতষাৰ নুসুমুৱাকৈ কথাকে কব নোৱাৰিছিল। কোনোৱে যদি আন কথা নেলাগেই, "জুৰমন বাই-ডঙীয়াকাই, কেনে আছা?" বুলি সোধে, জুৰমনে উত্তৰ দিব, "এ কিনো সুধিছা ভাইটি, খোলোঁ, চেলাটো হল, ভালেই আছোঁ দেওহে।" তাৰ দীঘলীয়া কথাৰ মাজতো, ফুটত উঠা লালি গুড়ৰ দৰে "চেলা" লেল্‌পেল হৈ ওলায়েই থাকে।

কেঁচাৰবীয়া গোসাঁয়ে নিজে শিষ্যৰ গাঁও ফুৰি অশৰণীয়া ডেকালৰা আৰু খোৱাবী জীয়ৰীক শৰণ লগাই কৰ-কাটল আনিবৰ মনেৰে এবাৰ খৰিকটীয়া গাঁৱৰ ওচৰতে খাহৰ সজাই বলছি। সকলো শিচে হাতত টকাটো-সিকাটো, লাওটো-কচুটো আৰু টোমত চাউল আৰু বাঁহৰ চুঙাত এৰাঁ। গাখীৰ ইত্যাদি বস্তু লৈ গোসাঁইৰ ওচৰলৈ অহা-যোৱা কৰিব লাগিছে, কিন্তু জুৰমন বাইডঙীয়াই সেইকালে মুখকে কৰা নাই। ঘৰমেধিয়ে সেই কথাটো টং কৰি গোসাঁইৰ কাণ চুৱাই দিলত, গোসাঁয়ে জুৰমনক ধৰি আনিবলৈ ডেকা ভকত দুজনক পঠিয়াই দিলে। ভকত যুগলে জুৰমনক গোসাঁইৰ আগত হাজিৰ কৰি দিলত, জুৰমনে গোসাঁইক সেৱা কৰি আঁঠু লৈ হাতযোৰ কৰি ৰ'ল। গোসাঁয়ে সুধিলে—"বাইডঙীয়া! তই সেখোন মোৰ ওচৰলৈ অহা নাছিলি?"

জুৰমনে মাত লগালে,—"প্ৰভু জগন্নাথ! চেলাটো হল, মই আহোঁ আহোঁ বুলি ভাবি থাকো-তেই পলম হল। মোৰ দায়-দোষ মৰিষণ কৰিব লাগে প্ৰভু ঈশ্বৰ চেলাটো—"

গোসাঁই। মুখ চম্ভালি কথা কবি।

জুৰমন। চম্ভালি নাই কোৱানো কি প্ৰভু জগন্নাথ চেলাটো হল কিংবা খোলেনে খণ্ডীয়ে।

গোসাঁই। হেৰ কোন আছ, ইয়াক ভুকু গোটা-চেৰেক মাৰি পডিয়াই উলিয়াই দে।

গোসাঁইৰ প্ৰচণ্ড আদেশ শুনি জুৰমন অবাক। সি কি জগৰ লগালে বুজিব নোৱাৰিলে। গোসাঁইৰ মুখ-পঙ্কজৰপৰা বাক্যবাৰ ওলোৱা মাত্ৰকতে এটা ভকত উঠি আহি জুৰমনৰ পিঠিত ভুকুৱাবলৈ ধৰিলে। জুৰমনে ভাবিলে এইখন কি হলনো আকৌ? সি গোসাঁইৰ কালে হাত যুৰি দীঘল দি পৰি কলে—"জগন্নাথ। চেলাটো হল, মই বপীয়ে নো জগন্নাথৰ কি অপৰাধ কৰিলোঁ, যে মোক জগন্নাথে কিবা বোলেনে চেলাটো হল, এই দৰে চোৰ কিলোৱাদি কিলোৱাইছে।"

গোসাঁই আৰু ঘৃতাহুতি হৈ উঠিল। ভকতে তেওঁৰ ইঙ্গিত পাই জুৰমনৰ পিঠিত কিলৰ জাউৰি তুলিবলৈ ধৰিলে। আৰু দুই চাৰিজন ভকত উঠি আহিল, আৰু মাউখতে তাৰ পিঠিত কিলৰ জাউৰি আৰু চৰিল। জুৰমনৰ কান্দোন আৰু চিয়ঁৰ-বাখৰ যিমান বাঢ়ি যাবলৈ ধৰিলে কথাত চেলাৰ উপদ্ৰৱো তাৰ সিমান বাঢ়িবলৈ ধৰিলে। শেহত গোসাঁয়ে তাক খুটা এটাত বন্ধাই তাৰ হাতৰ বাইডাং ডালেৰেই তাক ভালকৈ মাৰ শোধাবলৈ সমূহ ভকতক আজ্ঞা দিলত, সেই মতেই কাৰ্য্য সম্পাদন হবলৈ ধৰিলে।

এনে সময়তে খৰিকটীয়া গাঁৱৰ সোণাৰৰ গাঁওবুঢ়া তাতে ওলালহি। তেওঁ এই কিলৰ উৰাদিহ লৈ কলে—"প্ৰভু জগন্নাথ। বপীয়ে এটি গোহাৰি জনাওঁ। এই জুৰমন বাইডঙীয়াক আমি সৰুৰেপৰা জানো। মানুহটো খৰ জুৰ, বৰ ভাল। কিন্তু কথাইপতি 'চেলাটো' খোলা এটা কু-অভ্যাস তাৰ আছে, সি একোপধ্যে সেইটো এৰিব নোৱাৰে। এতেকে সি প্ৰভু জগন্নাথক আন কিবা ভাবি সেইষাৰ কথা কোৱা নাই। জগন্নাথে তাৰ অপৰাধ মৰিষণ কৰি তাক এৰি দিয়ক।"

গোসাঁয়ে তেতিয়া কথাটোৰ আওভাও বুজি তাৰ বান্ধ মোকলাই দিবলৈ কৈ তাক কলে—"জুৰমন। তই আজিৰপৰা সেই বেয়া কথাষাৰ এৰি দে, নকবি।"

জুৰমনে গোসাঁইক সেৱা কৰি মুখত কুটা এডাল লৈ কলে—"আজিৰপৰা নকওঁ জগন্নাথ চেলাটো—"

গোসাঁই। নকওঁ বুলিয়েই দেখোন আকৌ কলি?"

জুৰমন।—নাই কোৱা জগন্নাথ—চেলাটো হল।

গোসাঁই।—তই উঠ, ইয়াৰপৰা যা।

জুৰমন। প্ৰভু ঈশ্বৰ। চেলাটো হল; জগন্নাথে আজ্ঞা দিলে যাব পাৰোঁ চেলাটো—। *

(* বাঁহী, ১৮শ বছৰ, ৯ম সংখ্যা। পুহ, ১৮৫১ শক)

মাউৰা

আন নহয়, আমাৰ সেই কৰ্ম্মেশ্বৰ কাকতীয়েই আজিৰ এই উপাখ্যানৰ 'মাউৰা'। কাকতী মহাশয়ক লোকে চিনে নে নিচিনে কব নোৱাৰোঁ, আমি হলে চিনো আৰু সেইদেখিয়েই তেওঁৰ উপাখ্যান লেখিবলৈ গৈছোঁ। কৰ্ম্মেশ্বৰৰ বয়স তিনিকুৰি, পৈতৃক ধাৰ চাৰিকুৰি, জঞ্জাল পাঁচকুৰি, আৰু উত্তৰাধিকাৰ সূত্ৰত পোৱা ভাটি-গোক কেইকুৰি কোনে জানে? পিয়লৰ মহৰীয়ে যদি ভালকৈ ধৈৰ্য্য ধৰি পিয়ল কৰে, তেন্তে কিজানি তিনি লাখ তিনিকুৰিৰ অঙ্ক বা তেনেকুৱা কিবা এটা হিচাপত ওলাব পাৰে। কোনোৱে কয়—কৰ্ম্মেশ্বৰৰ মূৰত গোলমাল আছে। কোনোৱে কয়,—গোলমাল-ফোলমাল একো নাই; দুটালি আছে। কৰ্ম্মেশ্বৰৰ কিন্তু মনত দৃঢ় বিশ্বাস যে গোলমাল যদি আছে, তেন্তে সি লোকৰ মূৰতহে, তেওঁৰ মূৰত নহয়;—অৱশ্যে কথাৰ যোগ-বিয়োগ কৰোঁতে কোনোবা কাশ্চিৎ যোগ বা বিয়োগ ফলত তেওঁৰ ভুল সোমায়। কিন্তু কাৰো তেনে নহয় বুলি কবপৰা ৰবমতা কেইটা আছে, তেওঁ জানিব খোজে। তেওঁৰ বিশ্বাস যে, বৰং তেওঁ আনতকৈ কমহে ভুল কৰে। এনে ধাৰণাৰ বশৱৰ্ত্তী হৈয়েই কৰ্ম্মেশ্বৰে লোকৰ ভুল ধুকটি ফুৰিবলৈ ভাল পায়। আৰু সেইটো স্বাভাৱিকো। ইফালে এই দেখিয়েই কৰ্ম্মেশ্বৰেৰে সৈতে বাইজৰ মতভেদৰ এই গোচৰখন চালিছত নিদিলে, তাৰ মীমাংসা হবৰ কোনো আগন্তুকেই নাই বুলি আমি ভাবোঁ। কিন্তু চালিছত দিয়ে কোনে আৰু চালিছ মানে বা কোনে? সেইদেখি সেইবিধ কৰ্ম্মীৰ অভাৱত কৰ্ম্মেশ্বৰ কাকতী ভজুঁৱা টকাৰ দৰে ধৰা নপৰাকৈ নিৰ্ব্বিবাদে দেশত 'মাউৰা' হৈয়েই চলি আছে আৰু চলি থকাই ভাল আৰু কতকালবে চলিব, তাৰো উৰাদিহ আমি দিব নোৱাৰোঁ।

কৰ্ম্মেশ্বৰৰ বাপেক মৌজাদাৰ আছিল। সেই স্বত্ব সাব্যস্ত কৰি কৰ্ম্মেশ্বৰ আঢ়েকুৰি বছৰ বয়সলৈকে মৌজাদাৰৰ লৰা হৈয়েই চলিছিল আৰু নচলিবই বা কিয়? তেওঁতো লোকক খুটী কৰিবলৈ মৌজাদাৰৰ লৰা নহৈ দাৰোগাৰ বা আন কাৰো লৰা হব নোৱাৰে। তেওঁৰ আহাৰ, নিদ্ৰা, চলন-ফুৰণত এই সুদীৰ্ঘকাল কোনো আসোঁৱাহেই লোলাইছিল। ওলাইছিল যদিও কোনোৱে ধৰিবলৈ সাহ নকৰিছিল। কিন্তু অবিবেচক বাপেকে কৰ্ম্মেশ্বৰৰ আঢ়েকুৰি বছৰীয়া নাবালক অৱস্থাতে এৰি মৰি গুচি গ'ল। কৰ্ম্মেশ্বৰে ভাবিলে—বোপাইৰ আক্কেলটো চোৱা! ফলত কৰ্ম্মেশ্বৰ বিভাস্তে মাউৰা হৈ পৰিল। বেচেৰাৰ মাকৰ স্বৰ্গাৰোহণো বাপেকৰ আগেয়েই ঘটিছিল, সেই

নিমিত্তেই বাপেক মৰাৰ পিছত কৰ্ণেশ্বৰ নিৰ্ভুল মাটি-খাউৰা হ'ল।

জিলাৰ ৰবচাহাবৰ ওচৰত কৰ্ণেশ্বৰে জবৰ্দস্ত দৰ্খাস্ত এখন দিলে যে, তেওঁক তেওঁৰ বাপেকৰ মৌজাদাৰী বিষয়খন দিবই লাগে; নহলে তেওঁৰ নচলে—যিহেতু, তেওঁ মাক বাপেক নথকা মাউৰা-লৰা। এই হেতু বা কাৰণটো কৰ্ণেশ্বৰে নিজৰ সেই দৰ্খাস্তত, দূৰৈৰপৰা লোকে চকুৰে মনিব পৰাকৈ—ডাঙৰ ডাঙৰ আখৰেৰে লেখি দিছিল। জিলাৰ ৰব-চাহাবে কৰ্ণেশ্বৰৰ দৰ্খাস্ত খন পঢ়ি কলে "ৱেল্ কৰ্ণেশ্বৰ, হামভি মাউৰা। হামৰাভি বাপ মা কৈ নাহি হেয়। মাউৰা হলেই যে চৰ্কাৰৰ ৰবৰ চাকৰি পাবৰ দাবি চলিব পাৰে এইটো মই আগেয়ে নাজানি-ছিলো।"

কৰ্ণেশ্বৰে উত্তৰ দিলে—"হজুৰ খোদাবান্দা! খোদাবান্দা, খোদ মাউৰা হৈছে দেখিয়েই খোদাই খোদাৱান্দাক জিলাৰ ৰবচাহাব পাতিছে। হজুৰৰ গোলামেতো আৰু ৰবচাহাব হব খোজা নাই; মাথোন এটি টিপচী মৌজাদাৰ হব খুজিছে। আৰু আৱিচালে খোদাবান্দাই দেখিব, সিও গোলামৰ পৈতৃক সম্পত্তি। পুত্ৰ পিতৃৰ সম্পত্তিৰ উত্তৰাধিকাৰী হয় বুলি শাস্ত্ৰত কৈছে। হিন্দুৰ দায় ভাগ মিতাক্ষৰা—এই দুইখন আইনে এনে ব্যৱস্থা দিছে। হজুৰৰ বাইবেল আৰু হজুৰৰ আদালতৰ চিৰস্তাদাৰ মিঞা বিদা হুছেন চাহাবৰ কোৰাণেও কিজানি তাকেই কয়।"

ৰবচাহাবে কৰ্ণেশ্বৰৰ সৈতে তৰ্ক কৰা বৃথা ভাবি হাঁহি 'গুদমনিং' বুলি কৰ্ণেশ্বৰক বিদায় দিলে। কৰ্ণেশ্বৰে কিন্তু বিদায় গ্ৰহণ নকৰি ৰব চাহাবক কলে—, "হজুৰ খোদাবান্দা! এই মাউৰা লৰাক চাকৰি নিদিলে তাৰপক্ষে গুদমনিং যেদ্ ইভিনিঙত পৰি বেড্নাইট হবগৈ। সেই হেতুকে বন্দীক চাকৰি দিবই লাগিব।"

ইয়াৰ পিছত ৰবচাহাবে চাপৰাচীক মাতি কৰ্ণে-শ্বৰক ওলাই যাবলৈ বাট দেখুৱাই দিবলৈ কলত, অগত্যা কৰ্ণেশ্বৰ মৰ্ণেশ্বৰ হৈ গুচি আহিল।

জিলাত এজন মুছলমান সদাগৰে কুৰি হাজাৰ টকা খৰচ কৰি, মাউৰা মুছলমান লৰাৰ নিমিত্তে এটা 'অৰ্কেনেজ' কৰি দিছিল। কি ভাবি কব নোৱাৰোঁ, এদিন কৰ্ণেশ্বৰে নিজৰ পোৱাপাচী আৰু টোপোলা-টুপলি লৈ তাত উপস্থিত হলগৈ। অৰ্কে-নেজৰ মেনেজাৰে কৰ্ণেশ্বৰক অহাৰ কাৰণ সুধিলত, কৰ্ণেশ্বৰে কলে যে, তেওঁ মাউৰা। সেই দেখি তাত থাকিবলৈ আহিছে। কৰ্ণেশ্বৰৰ কথা শুনি মেনেজাৰে হাঁহি তেওঁক উভতি যাবলৈ কলে। কৰ্ণেশ্বৰে নাযাওঁ বুলি মহা 'বক্ৰাৰ' লগাই দিলত, হাই শুনি অৰ্কেনেজৰ সন্মুখত বাটত মানুহ গোট খাই পৰিল। মেনেজাৰে কলে "এইটো মুছলমান লৰাৰ নিমিত্তেহে, হিন্দুৰ নিমিত্তে নহয়। কৰ্ণেশ্বৰ হিন্দু। তাৰ উপৰি কৰ্ণেশ্বৰ তিনিকুৰি বছৰীয়া বুঢ়া।"

কৰ্ণেশ্বৰে উত্তৰ দিলে "শুনক মেনেজাৰ মিঞাচাহাব। বিলাতত ঘুৰণীয়া মেজৰ মেলত 'কমিউ-নেল কোৱেচন' চলিব পাৰে, মাউৰাৰ নিমিত্তে পতা অৰ্কেনেজত সেই 'কোৱেচন' চলিব নোৱাৰে, মাউৰাৰ বাপেক নাই, মাক নাই; আছে মাথোন ঈশ্বৰ। ঈশ্বৰৰ আগত হিন্দু-মুছলমান সকলো সমান। নহলে, হিন্দুৰ দেহতো তেওঁ যেনেকৈ দহোটা ইন্দ্ৰিয় মন, বুদ্ধি, চিত্ত দিছে, মুছলমানৰ দেহতো তেনেকৈ নিদিলেহেঁতেন। হিন্দুৱেও খায়, শোৱে, বহে, জিৰায় হাঁহে, কান্দে, মুছলমানেও তাকে কৰে। হিন্দুৰ গাৰ তেজো ৰঙা, মুছলমানৰ গাৰ তেজো ৰঙা। তেনে-হলে মাউৰালৈ মৰম কৰি, মাউৰাৰ দুখ গুচাই ঈশ্বৰৰ প্ৰীতি সাধন কৰিবলৈ কৰা এই অৰ্কেনেজত হিন্দু আৰু মুছলমানৰ পৃথক ব্যৱস্থা কিয়? আৰু আপুনি কৈছে, এই অৰ্কেনেজ লৰাৰ নিমিত্তেহে। মই নো কি? মই লৰা নহওঁনে? নতুবা ইয়ালৈ আহিলোঁহেতেন কিয়? লৰা, ডেকা আৰু বুঢ়া এই তিনিও লগ লাগি একেডাল বিৰিয়া হৈছে—এমূৰে লৰা সিমূৰে বুঢ়া। দুই মূৰ জোৰা লাগি এই সংসাৰত জীৱৰ বিৰিয়াডাল পকোৱা হৈছে। কোনটো মূৰ আগ, কোনটো মূৰ গুৰি, কোনে বাছি দিব পাৰে? তেন্তে মই মোৰ প্ৰাপ্য ঠাই নাপাবৰ কাৰণ কি?"

কথাত বলে নোৱাৰি মেনেজাৰে অৰ্কেনেজৰ দাৱোৱাৰ হতুৱাই কৰ্ণেশ্বৰক তাৰ পৰা বলেৰে খেদাই দিলে।

কৰ্ণেশ্বৰে বাপেকৰ মৌজাটো যে নাপালেই, নিজৰ থকাঘৰ আৰু বাৰী মাটিৰ খাজনা বাকী পৰিলত, ন-মৌজাদাৰে যেতিয়া খাজনা সাধিলে, তেতিয়া কৰ্ণেশ্বৰে খঙত চকু পকাই মৌজাদাৰক কলে,— "নিদিওঁ খাজনা। মোৰ বোপায়ে আঢৈকুৰি বছৰ মৌজাদাৰী কৰি সসাগৰা পৃথিবীৰ খাজনা আদায় কৰিছিল। এতিয়া তেওঁ মৰিলতে মোক মাউৰা হোৱা দেখি কোপ্ৰহী ন-মৌজাদাৰ তুমি মোৰ পৰা খাজনা বিচাৰিছা। নিদিওঁ খাজনা তোমাক। তুমি আকৌ খাজনা বিচাৰি আহিলে লঘু হবা কৈ দিলোঁ। ময়ো আঢৈকুৰি বছৰ মৌজাখোৱা মৌজা-দাৰৰ লৰা জানি থবা।"

মাউৰা কৰ্ণেশ্বৰৰ ইয়াৰ পিছত নানা কথাত অনেক লটিঘটি হৈছিল। সেইবোৰ বৃত্তান্ত এই সৰু গল্পৰ ভুকুকাত ভৰাবলৈ নাটে। সেই দেখি সেই-বোৰ যেনেকৈ হ'ব হৈছিল—তেনেকৈ এৰি থৈ, কৰ্ণেশ্বৰে সৈতে আমি কলিকতাত ওলাওঁগৈ।

কৰ্মেশ্বৰে বেলৰ কেৰেয়া দি নে নিদি কেনেকৈ কলিকতা পালেহি কব নোৱাৰোঁ ; আমি কিন্তু গাঁথিৰ পইচা ভাঙিহে আহিলোঁ। কলিকতালৈ অহাৰ আগতে কৰ্মেশ্বৰৰ সম্পৰ্কে আৰু এটা ঘটনাৰ বিৱৰণ এই খিনিতে দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ। এবাৰ কৰ্মেশ্বৰে মিউনিছিপেলিটিৰ মেম্বৰ হবৰ নিমিত্তে ধৰকৈ লাগিছিল। ভোটাৰ বাইজৰ পৰা ভোট পাবৰ আশা নেদেখি তেওঁ এখন আৰ্জি লেখি লৈ জিলাৰ খবচাহাবৰ ওচৰত উপস্থিত, তাত তেওঁক গৱৰ্ণমেণ্টৰ মনোনীত মেম্বৰ কৰি লবলৈ প্ৰাৰ্থনা কৰিছিল। আৰ্জিত তেওঁৰ যুক্তি আৰু প্ৰস্তাৱ আছিল যে,— অসমত মাউৰা 'মাইনৰিটি কমিউনিটি' ; অৰ্থাৎ লেখত কম। সেইদেখি মিউনিছিপেলিটিৰ সভাত অ-মাউৰাই যে মাউৰাক চেপি মাৰিব, এইটো নিশ্চয়। এতেকে মাউৰা সভ্যৰ লেখ তাত সৰহ কৰিব লাগিব। সেই সভাত যদি এশজন মেম্বৰ হয়, তেন্তে মাউৰাৰ লেখ তাত আটৈকুৰি তিনিজন হবই লাগিব ; নতুবা মাউৰাৰ আৰু ৰক্ষা নাই। মাউৰালৈ এই লেখটো থৈ বাকী লেখ চৰ্কাৰে নিজৰ ইচ্ছামতে পূৰাই লওক। তাত মাউৰাৰ আপত্তি নাই।"

দৰ্খাস্তৰ উত্তৰত খবচাহাবে কৰ্মেশ্বৰক কলে,— "আজি ইমান দিন মাউৰা আৰু অ-মাউৰা একেলগে থাকি চলি আহিছে, কোনেও কাকো একো কৰা নাই, কোনো বিষয়ত অ-মাউৰাই মাউৰাক চেপি মৰাও নাই। এতিয়ানো কেনেকৈ মাউৰা মিষ্টৰ কৰ্মেশ্বৰ কাকতীয়ে সেইটো কয় ?"

কৰ্মেশ্বৰে উত্তৰ দিলে,— "আগেয়ে অ-মাউৰাই মাউৰাক কামুৰি মৰা নাই বুলি যে এতিয়া মাৰিব নোৱাৰিব এনে নহয় হজুৰ। আগেয়ে সম্ভৱতঃ অ-মাউৰাৰ কুকুৰ দাঁত গজাও নাছিল। এতিয়া কিন্তু গজিল। সেই দাঁত মই মোঁ চকুৰেই দেখিছোঁ। আৰু হজুৰেও অ-মাউৰাৰ কোৱাবিথল মেলাই চালেই দেখিব। সেই দাঁত দীঘল আৰু চোকা হৈ ওলাইছে হজুৰ।"

খবচাহাব—"শুনা, মিষ্টৰ কৰ্মেশ্বৰ। মাউৰা-বোৰৰ যদি মনুষ্যত্ব আছে, আত্ম সন্মান আছে, তেন্তে এনেকৈ ভয় কৰাৰ কোনো কাৰণ নাই। মাউৰাবোৰ ইমান অপদাৰ্থ হ'লনে যে চৰ্কাৰে তেওঁলোকক পাখিৰ তলত নললে, অ-মাউৰা চিলনীয়ে তেওঁ-লোকক থাপ মাৰি লৈ গুছি যাব ?"

কৰ্মেশ্বৰ—"কাৰণ আছে, ডাঙৰ কাৰণ আছে, হজুৰ খোদাৱান্দা গৰীপপৰৱৰ। আমি মাউৰা ; আমি নিজৰ আই বোপাইক হেৰুৱাই হজুৰকে মা-বাপ বুলি ধৰিছোঁ। আমাক মাৰবি নওক হজুৰ, নেৰিব। আমিও হজুৰক নেৰো। আমাক হজুৰৰ তলত ডাঙৰ ডাঙৰ চাকৰি বাকৰি দিয়ক হজুৰ। মোক মোৰ পৈতৃক মৌজাদাৰীখন নিদি হজুৰৰ আগৰজন খবচাহাবে ভুল কৰিলে। দিয়াহেঁতেন হজুৰৰ ঘৰে এই গোলামক সদায় হাতত পালে-হেঁতেন। ওঁচ বুলিলেই গোলাম হাজিৰ হ'লহেঁতেন। মই শিৱকুচা মৌজাদাৰৰ ঘৰৰ লৰা। মই মাউৰা হৈ পৰিলতে অ-মাউৰা ম-মৌজাদাৰে মোৰ পৰা মাটিৰ খাজনা খুজি মোক অপমান কৰিলে হজুৰ। এই গোলামৰ পিতৃপুৰুষে অনেক কাল অ-মাউৰাৰ ওপৰত মৌজাদাৰী কৰি সিহঁতক বেগাৰী খটাই আহিছে হজুৰ। এতিয়া অ-মাউৰা মৌজাদাৰৰ লৰা এটাই মোক অপমান কৰিলে !!! চন্দ্ৰ সূৰ্য্যই ইয়াৰ পিছতো ৰথ চলাই চলিছে, এয়েহে আচৰিত কথা হজুৰ।"

দুখৰ বিষয়, ইত্যাদি ন্যায় আৰু যুক্তিসঙ্গত কথা কৈও কৰ্মেশ্বৰে খবচাহাবক বুজাব নোৱাৰিলে। ফলত কৰ্মেশ্বৰ আৰু মিউনিচিপেলিটিৰ মেম্বৰ হব নোৱাৰিলে। নানা খেজাইৰ ভিতৰত এই খৰ খেজাইটো কৰ্মেশ্বৰৰ পক্ষে মাৰঘাত হ'ল। তেওঁ বিৰক্ত হৈ অসম পৰিত্যাগ কৰি কলিকতালৈ আহিল।

কলিকতা চহৰৰ উত্তৰ অঞ্চলৰ অবলা আশ্ৰম। নিঃসহায় তিৰুতাৰ নিমিত্তে এইটো অনুষ্ঠান। এদিন পুৱা ডাঢ়িয়ে-গোফে ভোৰোকাৰ কৰ্মেশ্বৰ ভটং কৰে অবলা আশ্ৰমৰ দুৱাৰ মুখত উপস্থিত। আশ্ৰমৰ গৰাকী মহিলা চুপাৰিণ্টেণ্ডেণ্টে তেওঁক সুধিলে, "কি লাগে ?"

কৰ্মেশ্বৰে উত্তৰ দিলে, "আশ্ৰমত মোক থাকিবলৈ দিব লাগে।"

কৰ্মেশ্বৰ মুখৰ আৰু কথাৰ গঢ় দেখি মহিলা-জনাই ভয় খাই দাৰোৱানটোক মাতিলত, দাৰোৱান-ওচৰতে থিয় হলহি। দাৰোৱানক দেখি কৰ্মেশ্বৰে চিঞৰি কলে, "ছিকো !!! এই চিপাহীটো ইয়াত কিয় ? ছুপৰিন আইদেউ। মই মাউৰা লৰা। মোক ইয়াত থাকিবলৈ ঠাই দিব লাগে, সেইদেখি আহিছোঁ।"

চুপাৰিণ্টেণ্ডেণ্ট—"তুমি বিদেশী মানুহ হবলা, সেইদেখি নাজানা। এইটো আশ্ৰম অবলা তিৰুতাৰ নিমিত্তেহে, মতাৰ নিমিত্তে নহয়।"

এইবাৰ কৰ্মেশ্বৰে বঙলা ভাষাৰ আশ্ৰয় লৈ কলে,—"আমাকেও অবলাৰ সামিল কৰে নিন মা ঠাকুৰুণ। আমি পিতৃ-মাতৃহীন বালক। পিতাৰ মৃত্যুৰ পৰ থেকে আমি ভাল কৰে খেতে পাইনি,

সেইজন্য আমাৰ গায়ে বল মোটেই নেই, মা ঠাকুৰুণ। আমাৰ লম্বা ডাড়ি-গোফ দেখে আপনি মনে কৰিবেন না যে আমি পুৰুষ মানুহ। এটা ব্যতিক্ৰম একটা মাত্ৰ। এখন আমি আপনাৰ দয়াৰ ভিক্ষাৰী মা ঠাকুৰুণ।"

কৰ্ম্মেশ্বৰৰ এই কথা শুনি মহিলা চুপাৰি-ণ্টেণ্ডেণ্টে আৰু বেছিকৈ ভয় খাই, দাৰোৱানৰ কালে চালত দাৰোৱানে 'নিকালো বাবু' বুলি—ক'ত হাত দি, নেদেখিলোঁ, কৰ্ম্মেশ্বৰক তাৰ পৰা উলিয়াই দিলে।

ইয়াৰ পিছত মাউৰা কৰ্ম্মেশ্বৰ কলৈ গল, আৰু খবৰ নাপালোঁ।

(বাঁহী, ১৮৫৩ শক, মাঘ ২০শ বছৰ, ১০ম সংখ্যা)

——

বাঁহত

কমললোচন বৰুৱা ভাল বা পাৰত গজা বৰুৱা নহয়; শিবকুটা বৰুৱাৰ ঘৰৰ। শিৱসাগৰ জিলাত প্ৰথমতে তেওঁ "আদৰ্শ বঙ্গ বিদ্যালয়ত" নাম লগাই এবছৰ বঙলা "বোধোদয়" কিতাপ পঢ়ি, তাৰ পিচত "গৱৰ্ণমেণ্ট হাইস্কুলত" সোমালেগৈ। ইংৰাজী স্কুলেৰে সৈতেও তেওঁৰ সম্বন্ধটো সৰহকাল নিটিকিল। তেওঁ তৃতীয় শ্ৰেণী পোৱাৰ পিছতে এনে এটা ঘটনা ঘটিল, যাৰ পাকত পৰি সেইখিনিতে তেওঁ ইংৰাজী খিদ্যাত ইতি কৰিবলগীয়া হল। যি নহওক, কমললোচনে স্কুলৰপৰা নিস্কৃতি লভি, বাপেকৰ মাটি-বাৰীতে খেতিবাতি কৰি জীৱিকা নিৰ্ব্বাহ কৰিবৰ মন কৰিলত বহুতে তেওঁক সেই কাৰ্য্যত নধৰি কাছাৰীত প্ৰথমতে ছটকা দৰ্মহা বা জলপানীতে উমেদাৰী কামত সোমাই, ভৱিষ্যতত ডাঙৰ আমোলা কয়চলা নবীচ হবলৈ চেষ্টা কৰিবলৈ বুজনি দিছিল। কমললোচনে কিন্তু কাৰো কথাত কাণ নিদি চাকৰৰ ভাততকৈ স্বাধীন ভাৱে খেতি-পথাৰ কৰি অৰ্জ্জা ভাতগাল সোৱাদ বুলি কৈ, তেওঁৰ মনেপতা কামত একাণপতীয়াকৈ লাগি গল।

কমললোচনে হেঁপাহৰ ইংৰাজী স্কুলটোক তৎকালত কিয় কুটা ছিঙি এৰিলে তাৰো ইতিবৃত্ত আছে। সেইটো এইখিনিতে কোৱা যাওক। কমললোচন মানুহটো এটহীয়া স্বভাৱৰ। কামৰ সম্বন্ধৰ যি কালকে তেওঁ ধৰিছিল, সেই কালৰেপৰা সহজে তেওঁৰ হাত একোৰে এক্দ্ৰাম নোৱাৰিছিল। সকলো কাৰ্য্যতে কমললোচন একাচেকা। কালেকো ভোচ কৰি চলাটো তেওঁৰ গৌৰৱণীত লেখাই নাছিল। যি কাৰণেই হওক, পি ভাবুকি দি তেওঁক ভয় খুৱাব নোৱাৰিছিল। বিমানকে টান অস্ত্ৰাঘাত পৰক, তাতে কমললোচনে নিজৰ ৰাউসীৰ বলেৰে সাঁতুৰি উঠিছিল। সেইদেখি সকলোৱে কমললোচনৰ উপলুঙা নাম থৈছিল "একাচেকা বৰুৱা"। তেওঁৰ দিনত শিৱসাগৰৰ ইংৰাজী স্কুলৰ হেডমাষ্টৰ আছিল এজন এংলো ইণ্ডিয়ান বা ইঙ্গ ভাৰতীয়। হেডমাষ্টৰজনৰ নামটো এঞ্জেল। নামত এঞ্জেল হলেও কামত এঞ্জেল ওভোতা কোল আছিল। কঠোৰ শাসন, বেত্ৰাঘাত আৰু ন-ন শাস্তিৰ উদ্ভাৱনাৰ নিমিত্তে তেওঁৰ মূৰটো অতি সাৰুৱা আছিল। "Spare the rod and spoil the child" অৰ্থাৎ আমাৰ ভাষাত কবলৈ গলে "চেকনিৰ আগত বিদ্যা" এই প্ৰচলিত নীতিবচন বা দুৰ্নীতি বচনত তেওঁৰ অগাধ বিশ্বাস আছিল। পঢ়া মুখস্থ কৰিব নোৱাৰা লৰাৰ পিঠিত বেত্ৰাঘাতৰ তেওঁ প্ৰায়ে পৃষ্ঠপোষক, অৰ্থদণ্ডৰ অদম্য সমৰ্থক, আৰু বেঞ্চৰ ওপৰত দণ্ডায়মান নীতিৰ মহদণ্ডধাৰক। অপৰাধৰ গুৰুত্ব আৰু লঘুত্ব হিচাপে, বেঞ্চৰ ওপৰত থিয় কৰি দিয়া ছাত্ৰৰ দুই হাতত দুখন ইটা আৰু মূৰত এখন ইটা তুলি দিয়াৰ ব্যৱস্থা তেওঁ সততে কৰিছিল। অঙ্কশাস্ত্ৰৰ Least common multiple আৰু greatest common measure অৰ্থাৎ লঘিষ্ঠ সাধাৰণ গুণনীয়ক আৰু গৰিষ্ঠ সাধাৰণ গুণনীয়ক গুণীতক "কছি" হেডমাষ্টৰ চাহাবে তেওঁৰ ধাৰাই ৰচিত দণ্ডবিধিৰ হীন-ডেটি কৰিছিল। দৈবাৎ দণ্ডিত ছাত্ৰৰ হস্তধৃত আৰু মুণ্ডস্থিত ইটা পদস্খলিত হৈ ভূমিষ্ঠ হলেই তৎক্ষণাৎ তেওঁৰ দণ্ডবিধি আইনৰ ধাৰা অনুযায়ী দণ্ডিতৰ পৃষ্ঠদেশেৰে সৈতে বেতৰ সম্মিলন ঘটিছিল। অৱশ্যে সিও হিচাপ মতেহে। হেডমাষ্টৰ এঞ্জেলৰ সাৰুৱা মূৰত আৰু এদিন অপৰাধী ছাত্ৰৰ প্ৰতি শাস্তি বিধানৰ নিমিত্তে এটা অভিনৱ সংশোধক প্ৰস্তাৱে গাজ মেলিলে। যথা, দণ্ডবিধিৰ অন্তৰ্গত হোৱা ছাত্ৰক স্কুলৰ চকিদাৰৰ হতুৱাই ঠেলা বা টোম এটাত সুমুৱাই স্কুল ঘৰৰ কাঠৰ চটিৰ পৰা এৰণ্টা বা আদঘণ্টা অবাই থোৱা। এই শাস্তিটো এঞ্জেলৰ উৰ্ব্বৰ মস্তিষ্কপ্ৰসূত অনেক সতি-সন্ততিৰ ভিতৰত দ'লৰ কলচী। এদিন আমাৰ কমললোচনৰ ভাগ্যত এই দণ্ড লাভ হল। প্ৰথম অধ্যায়ত আধাঘণ্টাৰ নিমিত্তে কমললোচনৰ প্ৰতি এই দণ্ড বিহিত হৈছিল। কিন্তু দ্বিতীয় অধ্যায়ত কমললোচনে টোমত বহি ওলমি থেতিয়া সুহুৰিয়াখলৈ আৰু টকলিয়াখলৈ ধৰিলে, আৰু সেইবোৰ শুনি স্কুলৰ ছাত্ৰ আৰু আন আন মাষ্টৰবিলাকে সংযমৰ অভাৱত নিজক চম্ভালিব নোৱাৰি বেতিয়া পিৰ্জ্জনি মাৰি হাঁহিবলৈ ধৰিলে, তেতিয়া এঞ্জেলৰ ধৈৰ্য্যচ্যুতি ঘটিল। এইবোৰৰ ওপৰঞ্চি, স্কুলঘৰৰ বেৰত আৰি থোৱা বৰঘড়ীটোলৈ কমললোচনে চাই তাৰ পেণ্ডুলম বা ওলোম জালেৰে সৈতে কমানে শাৰ হেলো-

লগি দি গৰিবলৈ ধৰি, মুখেৰে চিক্ চিক্ কৰিবলৈ ধৰিলে,—তেতিয়া অৱস্থা সাংঘাতিক হৈ উঠিল। স্কুল ঘৰত হাঁহি কোঢ়ালৰ গিৰ্জ্জনি উঠিল। ঠিক যেন ৰাজহুৱা ধৰ্ম সভাহত ভকতসকলৰ হৈ-ধ্বনি। হেড মাষ্টৰে গতি বিষম দেখি কমললোচনক বেত দিবৰ সংকল্প কৰি নমাই অনালে। টোমৰ পৰা কমল-লোচন ওলাল। কিন্তু ওলায়েই হেডমাষ্টৰ একেলক দুই হাতৰ দুইটা বুঢ়া আঙুলি থিয়কৈ বুকু ফিলাই দেখুৱাই দি,—"আজৰপৰা তোৰ স্কুলত মই নপঢ়োঁ, পঢ়োঁ যদি মই চণ্ডাল—" এই বুলি ক্ষণেকতে থিৰা-শৱদে তাৰপৰা গুচি গল। একেলে গৰ্জ্জি উঠিল—"ধৰ। ধৰ। পাকৰ। পাকৰ।" একেলৰ গৰ্জ্জনত স্কুলঘৰ থৰক লাগিল। কিন্তু কোনে কাক ধৰে? কাকস্য পৰিবেদনা। কমললোচন মুহূৰ্ত্ততে লৰি চকুৰ আঁৰ হৈ পৰিল। সেই যে কমললোচন অদৃশ্য হল, তাৰ পিছত জীৱিত কালৰ ভিতৰত কমললোচনে স্কুলৰ ফালে মুখকে নকৰিলে। আনকি স্কুলঘৰৰ কাষৰ বাটেদিও কেতিয়াও কমল-লোচন গৈছিল বুলি কোনেও কব নোৱাৰে। কতই ইয়াৰ পিছত ভৱিষ্যতৰ ভীষণ বিভীষিকা প্ৰদৰ্শন কৰি কমললোচনক হেডমাষ্টৰৰ ওচৰত ক্ষমা মাগি আকৌ স্কুলত ভৰ্ত্তি হবলৈ পৰামৰ্শ দিছিল; কিন্তু কমললোচন অটল অচল হৈ ৰ'ল।

কমললোচনে এইদৰে স্কুল পৰিত্যাগ কৰাৰ কথা শুনি বুঢ়া বাপেক মৰ্ম্মাহত হল। পুতেকক ধৰাই-বুজাই বাপেকে অনেক কৈ শেহত কলে—"বোপা। ইংৰাজী পঢ়ি শুনি কাছাৰীত আমোলা মহৰী নহলে আজিকালি মান সম্ভ্ৰম একো নাথাকে। এতেকে মই তোক লগত লৈ হেডমাষ্টৰৰ ঘৰলৈ যাওঁ, তই দোষ স্বীকাৰ কৰি ক্ষমা প্ৰাৰ্থনা কৰিলে হেডমাষ্টৰে ক্ষমা কৰিব।"

এই কথা শুনি কমললোচনে বাপেকৰ ভৰিত দীঘল দি পৰি কলে, "দেউতা, মোক আপুনি স্কুললৈ যাবলৈ আৰু নকব। য'ত মানুহৰ আত্মসন্মান নাথাকে, তালৈ মই প্ৰাণ গলেও যাব নোৱাৰোঁ। আপুনি চিন্তা নকৰিব, মই যেনেতেনে মতে পেটৰ ভাত এগাল মোকোলাই খাবেই। মানুহ বঙালাও বা চাপৰাশী নহয় যে, তাক ধৰি টোমত ভৰাই চাপিত আঁৰি ধৰৰ ক্ষমতা কোনোৱে পাব পাৰে।"

বাপেকে কমললোচনৰ স্বভাৱ ভালকৈ জানি-ছিল। সেইদেখি আৰু একো নকৈ মনে মনে থাকিল। কমললোচনে সেইদিনাৰে পৰা বি-এল-এ-ত্ৰে পৰিত্যাগ কৰি খেতিবাতিত মনপুতি লাগিল। বাপেকৰ মাটি-বাৰী বিস্তৰ আছিল; সেইদেখি তাৰ অভাৱত কমললোচন নপৰিল।

স্কুল পৰিত্যাগত কমললোচনৰ বয়স সোতৰ বছৰ। সেই কাল আজিৰ কালৰ নিচিনা নাছিল। তেতিয়া চতুৰ্থৰ পৰা পঞ্চম শ্ৰেণীলৈকে এনেকুৱা ছাত্ৰৰ দু-অৰা চাৰি-অৰা স্কুলত আছিল যে, বিশোৰে কুৰি বাইশত গজগজীয়া দাড়ি ধৰি স্কুলখন শৰকি লৈছিল। কম কণ গুৰিপকন্যা ল'ৰাৰ মাজত তাহাৰ তাহাৰ টোকা পকন্যা যেন ডেকা একেখন বেঞ্চতে শাৰীপাতি বহি স্কুলখন 'চিৰিয়াখানা' যেন কৰি তুলাই দৃশ্যৰ আচৰ নাছিল। নগৰীয়া মানুহে বিলাতী কোৰেৰে ধৰৰ আগচোতালখন চুকৰি চিকুণাই খোৱাৰ দৰে আজিকালি গোঁফ খুড়িয়া বা সুখুড়িয়া ডেকালৰাই বিলাতী খুৰেৰে মুখখন চিকুণাই ৰখাটো দস্তুৰ। তেতিয়া কিন্তু এনে দস্তুৰ নাছিল। বৰং লিংলিঙীয়া বা ভোৰোকাৰ ডাঢ়িয়ে মুখৰ শোভা বৰ্দ্ধন কৰিছে বুলি ভবাটোহে সেইকলীয়া ফেচ্ছন আছিল। আজিকালিৰ চাহাবী পচ়েৰে চলা ৰবমানুহৰ ঘৰৰ 'বাবান্দা' বা আগ-চোলিৰ পিৰালিৰ কাষে কাষে, 'এৰিকা পাম' বা নানা বিধৰ 'কাৰ্পেটৰে' (যাক আমাৰ যেৰনিয়ে ধননিয়ে হোৱা চেকীয়া আৰু বিহলঙনিৰ জাতৰ বুলিলে মহাপাতকত পৰা নহয়) সুশোভিত 'পট' (pot) অৰ্থাৎ থিয় চৰিয়াৰ দৰে, সেইকালত ডাঢ়ীয়া ডেকালৰাৰে স্কুলঘৰৰ শ্ৰেণীবোৰ বজিতা থাই থকাটো নিয়মৰ ব্যতিক্ৰম নাছিল।

কমললোচনে স্কুল এৰাৰ তিনি মাহৰ পিছত তেওঁৰ বাপেক ঢুকায়। বাপেকৰ মৃত্যুৰ পিছত কমললোচনে দহগুণ উৎসাহেৰে খেতি-বাতিত মন নিয়োগ কৰিলে। কোঁৱৰপুৰৰ গাঁৱত এখন ঘৰ, আৰু নগৰত এখন ঘৰ, এই দুখন ঘৰ কমললোচনে পাতি সমানে চলাই অচিৰতে সৰ্ব্বৰথী কৰি তুলি জয়জয় ময়ময় কৰি তুলিলে।

বাপেকৰ মৃত্যুৰ এবছৰৰ পিছতে মাতৃ আজ্ঞা শিৰোধাৰ্য্য কৰি কমললোচনে এগৰাকী ৰূপৱতী কন্যা "পৃষ্ঠোধাৰ্য্য" কৰিলে। বৈণীয়েক ঘৰলৈ অহাৰ দুবছৰৰ পিছতো পুত্ৰৱতী নোহোৱা দেখি, নাতিৰ মুখদৰ্শন পিপাসী মাকে ইকালে সিকালে বা-বাতৰ কৰি দ্বিতীয় ভাৰ্য্যা এটি কমললোচনলৈ থিৰ কৰি কমললোচনক সেই কাৰ্য্যত প্ৰবৃত্ত কৰাবলৈ গলত কমলে হাতযোৰকৈ মাকক কলে—"আই, তুমি এনে কামলৈ মোক অনুৰোধ নকৰিবা, আদেশো নকৰিবা। মই তোমাৰ এই আদেশ অনুৰোধৰ বাহিৰে সকলো আজ্ঞা শিৰ পাতি লম, কিন্তু এইটো নোৱাৰোঁ। মোৰ বিয়া এই পৃথিৱীত এবাৰহে, আৰু নিয়ো হৈ গল।" মাকে কমলৰ স্বভাৱৰ দৃঢ়তাৰ বিষয়ে ভালকৈ জানিছিল দেখি নিজে চপাই যোৱা মনৰ দুখ মনতে টোপোলা বান্ধি লৈ মনে মনে থাকিল।

ঈশ্বৰৰ ইচ্ছাত ইয়াৰ পিছত কমলৰ ভাৰ্য্যাই একাদিক্ৰমে তিনিটা কন্যা আৰু এটি পুত্ৰৰ মাক হৈ নিজৰ অপযশ দূৰ কৰি আনবো আনন্দ বিধান কৰিলে। খেতিবাতি ইত্যাদিতো কমলে লক্ষ্মীক বশ কৰি দিনকদিনে শ্ৰীমন্ত হৈ আহিল। নগৰৰ ভিতৰত কমললোচন এজন সম্পত্তিশালী আৰু লেখৰ মানুহ হৈ উঠিল। তেওঁৰ প্ৰথম দুজনী ছোৱালী চহকী গৃহস্থৰ ঘৰৰ ভাল মানুহত পৰিল। সৰু-জনীৰ সৰুৰেপৰা লিখাপঢ়াত ধাউতি দেখি তাইকে পঢ়াশুনা কৰিবৰ সকলো সুবিধা কৰি দি কমল-লোচনে তাইক বিদুষী আৰু গুণৱতী কৰি তুলিলে। বৈণীয়েকে এদিন কমললোচনক কলে—"মোৰ এই পেটমচা ছোৱালীজনীক ইমানকৈ লিখা-পঢ়া শিকাই গুণাকৰ কৰিলোঁ; ছোৱালী জনীও দেখনিয়াৰ, এতেকে এইক মই এজন হাকিম বা বৰ উকীললৈহে বিয়া দিম; যাকে তাকে নিদিও। আগৰ দুজনী আমাৰ পুৰণি গঢ়েৰেই বিয়া দিয়া হ'ল। তথাপি সন্তোষৰ কথা, যে সিহঁতে সুখেৰে ঘৰ সংসাৰ কৰি চলিছে। এইবাৰ আজিকালিৰ হিচাপত ভাল ডাঙৰ মানুহ দৰা এটাত হে এইক বিয়া দিম বুলি ভাবিছোঁ।" কমলে বৈণীয়েকৰ কথা শুনি মূৰ দুপিয়াই সম্মতি জ্ঞাপন কৰিলে।

চেষ্টাৰ ফলত বৃন্দাৰ (সৰুজনী ছোৱালীৰ নাম) বিয়া মিষ্টৰ জে-আৰ বৰুৱা, ই-এ-চিৰে সৈতে সম্পাদিত হ'ল। ডেকা জে-আৰ বৰুৱা ৰংপুৰৰ গায়ন গাঁৱৰ মোলোকা গায়নৰ পুতেক। ল'ৰাটো সৰুৰে পৰা চোকা বুধীয়া আছিল দেখি গায়ন মোলোকাই মুঠিয়ে মুঠিয়ে ধন ভাঙি তাক পঢ়াইছিল আৰু লৰাবো দোপতদোপে পৰীক্ষাৰ মহলাত উঠি এম-এ, বি-এল পৰ্য্যন্ত "পাছ" কৰি বাপেকৰ ধনৰ ব্যয় সাৰ্থক কৰিলে। ইফালে মোলোকাৰ টকাৰ মোনা যিমান দীঘল আছিল, সিফালে পুতেকৰ বুধিৰ চুঙাটোও তেনেকুৱাই দীঘল আছিল। গতিকে দুইটাৰ ভিতৰত আউল নালাগিল, আৰু দুইটাৰ সংযোগত জন্মলাভ কৰা সিদ্ধি নামৰ যুৱতীজনী কাৰো নঙলাৰ মুখত নোৰোৱাকৈয়েই পোন বাটে-দিয়েই চেকুৰি সৈ নিজৰ যৌৱাশালত সোমালহি। মোলোকাৰ পুতেক গায়নৰ ঘৰৰ লৰা। কথাতে কয় যোলে "গায়নৰ ঘৰৰ খোলায়ো ৰাগ দিয়ে।" পুতেকো আজিকালিৰ প্ৰচলিত গান-বাজনা, ৰাগ-ৰাগিনীত সহজতে ভক্ত হৈ পৰিছিল।

ল'ৰাজন এইবিলাকৰ থাপেক মাকৰ বাধ্য আছিল, আৰু তেওঁৰ স্বভাৱতো মলি নপৰিছিল। ইয়াৰ পিছত মোলোকা বৰ গায়নৰ ল'ৰা জিনাবাৰ সৰু গায়নে কপালৰ বলত একষ্ট্ৰা-এছিষ্টেণ্টৰ বিষয়-বন লাভ কৰিলে। কপালৰ বলত এইবাৰে বুলিছোঁ যে, কতই এনে 'পাছ' কৰিও, এনে ডাঙৰ বিষয় এখন একেবাৰেই নাপায়। শাস্ত্ৰত কৈছে—দৈৱং ফলতি সৰ্ব্বত্ৰ ন বিদ্যা ন চ পৌৰুষঃ। কথলৈ পাহৰিছোঁ, যে বি-এ 'পাছ' কৰাৰ পিছতে জিনাৰাৰে কিবা সূতা এডালৰ আগত ধৰি, কোনোবা সূতাৰ সূত আৰু কোনোবা পুতৰ পুত হৈ পম ধৰি ধৰি ওলাই বৰুৱাৰূপে শিৰোভাগত অৱতৰ হ'ল। এম-এ 'পাছ' কৰাৰ পিছতে নামে অলপকৈ কলেৱৰ বদলাই জিনা-আৰ বৰুৱাৰূপে দেখা দিলে। বি-এল 'পাছ' কৰাৰ পিছত সেইটো পূৰ্ণৰূপে বদলি হৈ "জে-আৰ বৰুৱা" আকৃতি ধৰিলে। শুনিছোঁ, ই-এ-চি হোৱাৰ পিছত গৱৰ্ণমেণ্টৰ ঘৰৰপৰা এত-দৰ্থে এখন চাৰ্টিফিকেটো তেওঁ উলিয়াই লৈ তেওঁৰ উপাধিৰে সৈতে এই নতুন নামটো নিম্পিথেৰাজভুক্ত কৰি চিৰস্থায়ী কৰি পেলালে। এই ঘটনাটো আমাৰ উপাখ্যানৰ পাদপূৰণ স্বৰূপেহে ইয়াত উল্লেখ কৰিলোঁ; নতুবা বাস্তৱিকতে তেওঁৰ এই কাৰ্য্যত হৰণ-ভগন কাৰো একো নাছিল।

মিষ্টৰ জে-আৰ বৰুৱা হাকিম বাহাদুৰে সৈতে মিছ বৃন্দাৰ বিয়া মহা সমাৰোহেৰে হৈ গল। বিয়াৰ দিনা জে-আৰে ঠেঙা আৰু "ফ্ৰক্‌কোট" পিন্ধি "বিষ্ণু স্বৰূপায় বৰায় নমঃ" হৈ আহি হোমৰ গুৰিত বহিবলৈকে হেনো ঠিক কৰিছিল; কিন্তু জনচেৰেক তেওঁৰ অন্তৰঙ্গ আৰু বহিৰঙ্গ বন্ধু-বান্ধৱৰ বিশেষ অনুৰোধতহে তেওঁ সেই ভীষণ সংকল্প পৰিত্যাগ কৰিলে। শেষত আমাৰ দেশৰ দস্তুৰ মতে তেওঁ পাগ জামা পিন্ধি আহিছিল যদিও, কিন্তু ওৰে দিনটো হবিষ্যে থাকি তেওঁৰ টুপটুপীয়া হোৱা মুখৰপৰা ভক্‌ভক্ কৰে ওলোৱা চিগাৰেটৰ ধোঁৱাই ৰভাৰ তলৰ সভাসদসকলৰ মনত বিনোদ বিলাইছিল। শহুৰেক-শাহুৱেকক সেৱা কৰিবৰ সময়ত জে-আৰে পাহৰি "ছেকহেণ্ড" অৰ্থাৎ কৰমৰ্দ্দন কৰিবলৈ হাত আগবঢ়াই দিওঁতেই, তেওঁৰ কোনোবা হিতৈষী বন্ধুৱে পিছফালৰ পৰা হাতখনত ধৰি কোঁচাই দি তেওঁক হেচুকি বহুৱাই দি আঁঠু কাঢ়িবলৈ মনত পেলাই দিহে সেই সাৰৱণিৰ যেটা সন্তোষজনককৈ মাৰিলে। আমাৰ বৰ্ণনাৰ পৰা পাঠকে ভাবিব পাৰে যে, জে-আৰ বিলাত ঘূৰি অহা ডেকা। তেনে নহয়, তেওঁ বিলাত দৰ্শন কৰা নাছিল। বিলাতৰ কথা কাণৰ ভিতৰেদি মৰমত পশি হে তেওঁক তেনেকুৱা উৎকট প্ৰেমিক চাহাব কৰি তুলি-ছিল। সূৰ্য্যতকৈ সূৰ্য্যৰ তাপত তপত হোৱা বালিৰ তাপ বেছি বুলি কয়।

বিয়া ভাগি যোৱাৰ পিছত জোঁৱায়েকৰ পচ-পতি দেখি কমললোচন বৰুৱাই বৈণীয়েকক গোপনে কলে,—"হাকিম জোঁৱাই বিচাৰিছিলা, পালা, মোৰ এতিয়া। পেট ভৰিব পায়।" বৰুৱানী নিমাত হৈ বল।

কমললোচনে আকৌ কলে—"সুপ্ৰসিদ্ধ ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰে তেওঁৰ 'কঠিন শব্দৰ ৰহস্য ব্যাখ্যা' নামৰ কিতাপত হাকিমৰ ব্যাখ্যা দিছিল—'হা ! কিম্ পদাৰ্থম্ !' এতিয়া এই কিম্ পদাৰ্থটি লাভ কৰিলা যেতিয়া তোমাৰ আৰু দুখ গুচিল। বোলো, জপাত ভৰাই থোৱাঁ গৈ।"

বৰুৱানীয়ে এইবাৰো একো নামাতিলে। মাথোন তেওঁ ইয়াকে ভাবিলে যে গিৰিয়েকে ইমান আগৰেপৰা জোঁৱায়েকক বিচাৰৰ আদালতত তুলি চি ন্যায় কৰা নাই।

ইয়াৰ পিছত নানা কাৰ্য্য আৰু নানা বিচিত্ৰ ঘটনা সংঘটিত হ'ল। সেইবোৰ এই সৰু গল্পৰ ভুৰুকাৰ ভিতৰত সুমাবলৈ নাটে। সেইদেখি গামৰণি ডোখৰৰ ফালৰ পৰাই অলপ আভাস দি গল্পটোৰ মুদা মাৰি থম।

বৃন্দা শিক্ষিতা, বিনীতা, আৰু অনিন্দিতা সুন্দৰী। অচিৰতে দেখা গল যে জিনাৰাম ওৰফে জে-আৰ বৰুৱাই ই-এ-চি হাকিম বৃন্দাৰ কেঁৱা আঙুলি এটাৰো যোগ্য নহয়। জিনাৰ মানত তেওঁৰ ওপৰুৱালা বিষয়াসকলৰ বাহিৰে, মনুষ্য সমাজ ইমান তল-খাপ নিবাসী যে ঠেঙাৰে সৈতে তেওঁৰ ভৰি এটা তললৈ নমাই দিলেও, সেই খাপৰ মানুহে তাক ছুবলৈ চুকি নাপায়। কথাই কথাই তেওঁ ফিৰিঙিৰ ভাও দিবলৈ ধৰিলে, আৰু কুসংসৰ্গত পৰি অচিৰতে কেউটা "মকাৰৰ" অনুৰক্ত হৈ পৰিল।

এবছৰৰ পিছতে বৃন্দাৰ এটি লৰা হ'ল। কিন্তু মতলীয়া দুশ্চৰিত্ৰ স্বামীৰ ব্যৱহাৰত বৃন্দাৰ মনৰ সুখ চিৰকাললৈ অন্তৰ্হিত হ'ল। বৃন্দাৰ বুজনি কাকুতিয়ে গিৰিয়েকৰ মনত কোনো গুণ ধৰাব নোৱাৰিলেও শেহত বৃন্দাই বাপেকলৈ এইখন চিঠি লেখিলে :

"দেউতা !

মোৰ কপাল ভাগিল। ইমানদিন আপোনাক একো কোৱা নাছিলোঁ; ললাটৰ লিখনকে ভুঞ্জি থাকি ভাবিছিলোঁ, ঈশ্বৰে কিজানি অন্তত কৃপা কৰেই। সেই আশা গেলিল। সহনৰ সীমা পাৰ হ'ল। দিনো ৰাতি তেওঁ মতলীয়া হৈ আহি মোক গালি-শপনি মাৰধৰ যি কৰিছিল, সেইবোৰে মই এই পৰিমিত সহি আছিলোঁ। কিন্তু কালি কৰবাৰ পৰা এজনী বেশ্যা লগত লৈ আহি তাইৰ আগত মোক কুকুৰে-কাঁইটে নোখোৱাকৈ কদৰ্থনা কৰি, শেহত মোৰ কোলাৰপৰা এই কেচুৱা পোনাকণক বলেৰে কাঢ়ি নি তাইৰ কোলাত দি মোক ঘৰৰপৰা ওলাই যাবলৈ কলে। মৰো ভাবিলোঁ, ওলাই যাম। আৰু যথেষ্ট হৈছে। এতেকে তুমি আজিয়েই মোক লৈ যাবলৈ কাৰবাৰ পঠিয়াই দিবা। তুমি নিজে নাহিবা। তোমাৰ হতভাগিনী জী,

বৃন্দা।"

ইয়াৰ পিছত কোলাৰ কেচুৱাৰে সৈতে বৃন্দা পিতৃগৃহ পালেগৈ। মিষ্টৰ জে-আৰে আদালতত গোচৰ কৰি বৃন্দা আৰু লৰাটোক দখল লব খুলি ভাবুকি দি লিখা চিঠি এখনৰ উত্তৰত কমল-লোচন বৰুৱাই জে-আৰলৈ লিখিছিল—

"মিষ্টৰ জে-আৰ বৰুৱা হাকিমক এতাৰা জনোৱা যায় যে, তেওঁৰ অমুক তাৰিখৰ চিঠি পাই সমাচাৰ অৱগত হলোঁ। তেওঁৰ দাবী আদালতত ডিক্ৰী হবৰ সহায়ক স্বৰূপে এখন ইংৰাজী ৰছিদ ষ্টাম্প লগাই ইয়াৰ লগতে তেওঁলৈ পঠিয়ালোঁ—

"Received in full my daughter Srimati Brindeswari Debi back (for sometime in possession of J. R. Barua Esq. E. A. C.) with interest.

এক অনীয়া ৰিছিড ষ্টাম্প—

K L. Baruah
Past father-in-law
and present cultivator."

ওপৰৰ ৰছিদৰ ভাঙনি—

মোৰ বৃন্দাক (যি কিছুকাল হাকিম মিষ্টৰ জে-আৰ বৰুৱাৰ দখলত আছিল) সুতেৰে সৈতে সম্পূৰ্ণ-ৰূপে পাই এই ৰছিদ দিলোঁ।

কমললোচন বৰুৱা।
ভূতকালত শহুৰ, বৰ্ত্তমানত খেতিয়ক।

লালিতী কাকতী

কাকতীয়নী। মোৰ হলে লৰাটো বৰ পছন্দ হৈছে। আমাৰ আইটীৰ যোগ্য বৰ হব। লৰাটো দেখিবলৈকো বেয়া নহয়, গুণীও তেনে। ঘৰখন একেবাৰেই বে বেয়া এনেও নহয়; তাৰ উপৰি বি-এ পাছ কৰা দৰা। আজিৰ বাদে কাইলৈ সি চৰ্কাৰৰ ঘৰৰ ডাঙৰ কাম এটা পাব; মোৰ ছোৱালী ডাঙৰ হব, সুখে থাকিব।

কাকতী। তোমাৰ কথা এক প্ৰকাৰে ঠিক। কিন্তু সঁচা কথা কবলৈ গলে মোৰ হলে লৰাটো গিৰাসকৈ পছন্দ হোৱা নাই। তাৰ মুখৰ গঢ়ত এনে কিবা এটা বেন আছে মোৰ দেখি ভাল নালাগে। আসলতে

আমাৰ ছোৱালীজনী তাৰে সৈতে সুখেৰে থাকিব পাৰিবনে নোৱাৰে, মোৰ হলে সন্দেহ হয়, তুমি কিহকে কোৱা ।

কাকতীয়নী । আপুনি সদায় চুলি এডালকে চাৰিকাল কৰি চাই ফুৰিছে তেও মজিলত পৰে । ইমানকৈ ভাবিবলৈ গলে ছোৱালীক বিয়াই দিয়া নহয় । মানুহে কয় বোলে বৰকৈ বাছোঁতে বাছোঁতে গেলা বৰালিতহে হাত পৰেগৈ । আমাৰো তেনে নহলে বক্ষা । মোৰ মনেৰে এই লৰালেকে আইটীক দিওঁহঁক, লৰাৰ মাক-বাপেকেও বৰকৈ হাউচ কৰি ধৰিছে ; আদৰক নেওচাটো জানো ভাল ?

কাকতী । দিব খুজিছা দিয়াঁ । কিন্তু মোৰ হলে মন মুকলি হোৱা নাই । দিয়াঁ, কিজানি তোমাৰেই কথা ঠিক, মোৰেই ভুল ।

কাকতী গাঁৱৰ প্ৰধান লোক শ্ৰীযুত সুন্দৰ কাকতীয়ে এদিন দুপৰীয়া ভাতৰ পাতত বহি, তেওঁৰ ভাৰ্য্যাৰে সৈতে এই কথাবাৰ্ত্তা পাতিছিল । সুন্দৰ কাকতী এজন ধৰ্ম্মিষ্ঠ আৰু ধনী লোক । গাঁৱৰ সকলোৱেই তেওঁক মান সংকাৰ কৰে । কাকতী অপুত্ৰক ; মাথোন ললিতী নামেৰে জীয়েকেই তেওঁলোকৰ বৃদ্ধ জীৱন পোহৰাই থকা বস্তিগছি । ললিতী পোন্ধৰ বছৰত পৰিল । কিন্তু কোনো ভাল দৰা তেওঁলোকে তেতিয়ালৈকে বিচাৰি পোৱা নাছিল । কাৰণ কাকতীয়ে বৰ খুটিনাটি কৰি দৰাৰ দোষগুণ বিচাৰে । তেওঁৰ একেটা ছোৱালী কেনেবাকৈ দুখত পৰে বুলি তেওঁ সেই বিষয়ত বৰ সাৱধানে চলিব খুজিছিল ।

ইফালে ছোৱালীজনী বিয়া দিবৰ হল দেখি তেওঁ মনে মনে চিন্তিত হৈও আছিল । গাঁৱৰ দুই তিনিজন ভাল ডেকা ল'বাৰ নিমিত্তে যদিও ললিতীক খোজা হৈছিল তথাপি তেনে দৰালৈ ছোৱালীজনী দিবলৈ তেওঁ মন মেলা নাছিল । কাৰণ ললিতী নগৰত থাকি বালিকা স্কুলত লিখাপঢ়া শিকা ছোৱালী আৰু আজিকালিৰ নব্য ধৰণৰ ; ধানবনা, পানীখনা, চোতাল সৰা ইত্যাদি কামত তাই একেবাৰেই অনভ্যস্ত ; অথচ গাঁৱলীয়া দৰাত পৰিলে সেইবোৰৰ হাত সৰা টান । একেটা ছোৱালী বুলি কাকতী কাকতীয়নীয়ে ললিতীক আতোলতোলকৈ ডাঙৰ দীঘল কৰিছিল । এতেকে মুঠতে ললিতী কেনে অৱস্থাত কি দৰে উঠিছিল, অনুমান কৰি ললেই হব । ইয়াৰ উপৰি ললিতী দেখিবলৈকো বৰ ধুনীয়া । তাইক ধৰণত লোকে পাটমুগী বুলিছিল আৰু চলন, ফুৰণ কথাবাৰ্ত্তাত বিত্তোপম বুলি কৈছিল । ললিতীৰ স্বভাৱো সুন্দৰ বুলি সেই অঞ্চলত প্ৰখ্যাত আছিল । তাইৰ দোষৰ ভিতৰত এইটোৱেই যে তাই অলপ জেদী আছিল ; আৰু সেইটো কাকতী কাকতীয়নীৰ চকুত পৰা নাছিল যে এনে নহয় ; কিন্তু তেওঁলোকে ভাবিছিল মাক বাপেকৰ আতোলতোল মৰমত যদিও তাইৰ সেইটো দোষ ঘটিছে, অৱশ্যে সি এনে কোনো সাংঘাটিক দোষ নহয় যে, সংসাৰত সোমালে অৱস্থাৰ পৰিবৰ্ত্তনত সি নুগুচিব ।

যি দৰাৰে সৈতে ললিতীক বিয়া দিবৰ কথা হৈছিল সেই দৰাৰ সংক্ষেপ বিবৰণ তলত দিয়া গ'ল । দৰাৰ নাম শ্ৰীকান্ত হাজৰিকা । নিবাস—বকৰা গ্ৰাম । পিতাৰ নাম মিনাৰাম । মাতাৰ নাম লেতেৰী । ব্যৱসায় খেতিবাতি আৰু খেতিবাতিৰ পৰা উৎপন্ন বস্তু বিক্ৰী । শ্ৰীকান্ত বি-এ পাচ ; তাৰ পিছত থা ফলত ছব্‌ডেপুটী ।

শ্ৰীকান্তলৈ ললিতীক যে খোজা হল আৰু খোজাৰ পিছত ললিতীৰে সৈতে তেওঁৰ বিয়া হল, সেইটো ওপৰত দিয়া বিবৰণৰ পৰাই ধৰাই গৈ পাবগৈ পাৰি ।

বিয়াৰ এমাহৰ পিছতে ললিতীৰ স্বামী-গৃহবাসসুখৰ জেউতি চাৰিওফালে বিৰিঙি ওলাবলৈ ধৰিলে । তাৰে গোটাচেৰেকৰ তালিকা তলত দিলোঁ :

(১) দিনৌ স্বামীৰপৰা ললিতীৰ পিঠিত লাঠি, বুকুত গোৰ, গালত চৰ, তাৰ উপৰি সোতা জোতাৰ আৰু বেত সৌকাৰ কোৰ লাভ ।

(২) দিনৌ ললিতীৰ বাপেক মাক আৰু সাতপুৰুষৰ, স্বামীৰ দাৰাই গালিৰে সপিণ্ডীকৰণ । গালিৰ চানেকীবোৰ এই বিবৰণত তুলি দিবৰ অযোগ্য দেখি তাৰপৰা বিৰত হোৱা গল ।

(৩) দিনৌ ছব্‌ডেপুটী হাকিমৰ দৃঢ় প্ৰতিজ্ঞা আৰু ললিতীক ভয় প্ৰদৰ্শন যে, ললিতীক বাপেক-মাকলৈ ওভোতাই দি তেওঁ ন-কৈ ভাল ছোৱালী বিয়া কৰাব । ইত্যাদি ।

এইখিনিতে কোৱা আৱশ্যক যে ছব্‌ডেপুটী হাকিমে বিয়াৰ পিছতে ললিতীক তেওঁৰ মফস্বলৰ ঘৰলৈ লৈ গৈছিল । শহৰ-শাহুৱেকৰ ঘৰত মুঠেই দুদিন কি চাৰিদিনহে ললিতী থাকিবলৈ পাইছিল ।

ললিতীৰ স্বামীসুখ আৰু ঘৰ-সংসাৰ ভাগি চুৰমাৰ হোৱা দুখৰ বৃত্তান্তবোৰৰ বিশেষকৈ উল্লেখ নকৰি এই খিনিতে ইয়াকে মাথোন চমুকৈ কোৱা যাওক যে ললিতীৰ বাপেকে জীয়েকৰ দুৰ্দশাৰ কথা শুনি, জীয়েকক কিছুদিনৰ নিমিত্তে নিজৰ ঘৰলৈ লৈ আহিবলৈ বুলি ধনবিত্ত ভাণ্ডি গৈ ছব্‌ডেপুটী হাকিমৰ কাষ পাওঁতে, হকিমে তিনিশ-তেত্ৰিশ আযাৰ পোকাত গালিৰে শহুৰেকক অভ্যৰ্থনা কৰি, মৈনী-

ৱেকৰ গাৰ অলঙ্কাৰ পাতি আৰু ভাল কাপোৰ কানি গোপাকে কাঢ়ি লৈ শহুৰেকৰ হাতত ঘৈনীয়েকক "প্ৰতি সম্প্ৰদান" কৰিলে অৰ্থাৎ ওলোটাই দিলে।

জীয়েকৰ নিমিত্তে অগত্যা সকলো অপমান গিলি জীণ নিয়াই শহুৰেকে ঘৰলৈ ছোৱালীজনী আনিলে ; তেওঁ আশা কৰিছিল, কিছুদিনৰ মূৰত জোঁৱায়েক "ঠাণ্ডা" হলে আকৌ ছোৱালীজনী তেওঁ তাত থৈ আহিবগৈ। কিছু দিনৰ মূৰত সুন্দৰ কাকতীয়ে জোঁৱায়েকৰ খং মাৰ গৈছে বুলি ভাবি, নানা কাকুতি মিনতি কৰি, জীয়েকক আকৌ জোঁৱায়েকৰ ওচৰলৈ পঠিয়াই দিবলৈ প্ৰস্তাৱ কৰি জোঁৱায়েকলৈ চিঠি লেখিলে। সেই চিঠিৰ উত্তৰত—"মহাশয়, আমুকা বৰাৰ মধ্যমা কন্যা আমুকীৰ সৈতে মোৰ শুভ-বিবাহলৈ আপোনাক এই পত্ৰ দ্বাৰাই নিমন্ত্ৰণ কৰিলোঁ, সপৰিবাৰে আহি সন্তোষ প্ৰদান কৰিব।" বুলি লিখা চিঠি কাকতীৰ হস্তগত হল। দুখত শোকত হৃদয় বিদীৰ্ণ হৈ ধাৰ্ম্মিক সুন্দৰ কাকতীয়ে এই ঘটনাৰ তিনিমাহৰ ভিতৰতে নশ্বৰ দেহ পৰিত্যাগ কৰি সিপুৰীলৈ প্ৰস্থান কৰিলে।

আচল ঘটনাৰ ওৰ পাওক বা নাপাওক, মানুহ দুদল হোৱাটো দস্তুৰ সদায় আছে। এই ক্ষেত্ৰতো সেয়ে হল। এদলে কাকতী কাকতীয়নীক আৰু কাকতীৰ জীয়েকৰ গাত দোষ দিলে ; আনদলে ছুব্‌ডেপুটী হাকিমৰ গাত দোষ দিলে। কিন্তু দোষ যাৰে গাতে পৰক, ফলত ললিতী জীয়া-ৰাৰী হল। ছুব্‌ডেপুটী হাকিমে পুনৰ্ব্বাৰ বিবাহ কৰিলে।

ইয়াৰ কিছুদিনৰ পিছত দেখা গল, যে ছুব্‌ডেপুটী হাকিমৰ এই দ্বিতীয়বাৰ বিয়াৰ ফলেও প্ৰথম বিয়াৰূপ মহাজনৰ পন্থা ললে। প্ৰায় একেদৰেই ছুব্‌ডেপুটীৰ এই দ্বিতীয় পক্ষৰ গৃহিনীয়েও অচিৰতে পৰিত্যক্তা হৈ জীয়া-ৰাৰীৰ শাৰী পূৰালে। আগেয়ে ললিতীৰ গাত দায় দিওঁতা দলৰ প্ৰায় পোন্ধৰজনা লোকে এই দ্বিতীয় বিবাহৰ ফল লক্ষ্য কৰি ভাগি আহি সিদলৰ লগত যোগ দিলে। আমাৰ বি-এ ছুব্‌ডিপুটী হাকিম ডাঙৰীয়া কিন্তু "নাছোৰবান্দা।" বিয়াৰ বিষয়ত তৃতীয়বাৰ 'এক্সপেৰিমেণ্ট' কৰি চাবলৈ তেওঁ দৃঢ়প্ৰতিজ্ঞ হল ; কাৰণ তেওঁ "চায়েন্স কোৰ্চৰ গ্ৰেজুৱেট"। তেখেতে সকলো বিষয়ৰ "লেবৰেটৰিত" পুঙ্খানুপুঙ্খৰূপে বাৰে বাৰে পৰীক্ষা কৰি নাচালে থিৰ সিদ্ধান্ত কৰাটো তেখেতৰ অভ্যাস নহয়। গতিকে তৃতীয়পক্ষ সংঘটিত হল। যি হওক, সি কিন্তু এতিয়াও "লেবৰেটৰিতে এক্সপেৰিমেণ্টেল" অৱস্থাত আছে। অৰ্থাৎ তাৰ পৰীক্ষা চলিছে, ফল ওলোৱা নাই।

ইতিমধ্যতে ললিতীৰ হাতৰ চিঠি এখন এই উপাখ্যান লেখকৰ হাতত পৰিল, যাৰ অবিকল নকল তলত দিয়া গল :

শ্ৰীযুক্ত শ্ৰীকান্ত মজুমদাৰ ছুব্‌ডেপুটী কলেক্টৰ ডাঙৰীয়াৰ সমীপেষু,

মোৰ আৰাবচেবেক কথা আপোনাক কবৰ সকাম আছে, মুখেৰে কবৰ উপায় নাই দেখি চিঠিৰে লেখি দিলোঁ। মই জানো, যে এই চিঠি আপুনি পঢ়ি ফালি পেলাব, কাকো নেদেখুৱায় ; সেইদেখি ইয়াৰ নকল এখন শ্ৰীযুত 'বাঁহী'ৰ সম্পাদক ডাঙৰীয়ালৈকো পঠিয়াই দিলোঁ, বাঁহীত ছপা কৰিবলৈ ; যাতে আপুনি চিঠিখন লুকাই ৰাখিব নোৱাৰে।

আপুনি কলিকতাত পঢ়ি বি-এ পাছ কৰি "শিক্ষিত" হৈ আহিহে মোক বিয়া কৰাইছিল। তাৰ আগেয়ে অৰ্থাৎ অশিক্ষিত অৱস্থাত নহয়। মইহে অশিক্ষিতা মূৰ্খ তিৰুতা, আপুনি শিক্ষিত আৰু বিশ্ববিদ্যালয়ৰ ছাব-মোহৰ পোৱা 'গ্ৰেজুৱেট'। কিন্তু মোক কওকচোন, বিশ্ববিদ্যালয়ৰ শিক্ষাত এইটো শিকনি দিয়ে নে যে লোকৰ সৰু ছোৱালী এজনী বিয়া কৰাই আনি তাইক দিলৌ চোৰ কিলোৱাদি কিলাব পায় আৰু হালৰ গৰু খেদাদি খাব পায় ? আৰু তাইৰ মাক-বাপেকৰ চৈধ্য পুৰুষ উকতি গালি পাৰিব পায় ? বি-এ মহলাত উঠিলে মানুহে মাক-বাপেক, শহুৰ-শাহু, গুৰু-গোসাঁই কাকো কুটা এগছৰ সমানকে নামানি নেগুৰকটা ষাঁড় হৈ ওলাবৰ অধিকাৰ পায় নেকি ? আৰু হাকিম হলে, শহুৰেক-জোঁৱায়েকৰ ঘৰলৈ আহিলে শহুৰেকক জোঁৱায়েকে "তুমি কৰ মানুহ ? কি লাগে ? তোমাৰে সৈতে এতিয়া মোৰ দেখা কৰিবৰ ফোৰ্চুৎ নাই" বুলি চকিত থহি মেজৰ ওপৰত ভৰি তুলি চেলেউ হুপিব পায় নেকি ? অথবা নানা কৰ্কশ কথা কৈ অপমান কৰি শহুৰেকক বিদায় দিব পায় ? এইটো হাকিমৰ গুণ নে, বি-এ মহলাত উঠাৰ গুণ ? নাইবা 'শিক্ষিত' আৰু 'সভ্য' হোৱাৰ লক্ষণ, মোক জানিবলৈ দিব নে ?

আগৰ কালৰ শিক্ষাত তিৰুতাক অৰ্দ্ধাঙ্গিনী বুলিছিল, সহধৰ্ম্মিনী বুলিছিল ; আপোনালোকৰ আজিকালিৰ বিলাতী শিক্ষাত better half বোলে। কিন্তু মুখেৰে এনেবোৰ সম্বোধন কৰি, গৰু-মহৰ প্ৰতিও মানুহে যেনে ব্যৱহাৰ নকৰে তেনে ব্যৱহাৰ তিৰুতাৰ প্ৰতি কৰিব পায় নে ? এয়েই আপোনালোকৰ উচ্চশিক্ষা নে ? উচ্চশিক্ষা মানে চাহাৰী টুপি, ঠেঙা, কোট পিন্ধি, মেজত কুকুৰা, ভেৰা, গৰু, গাহৰীৰে খানা খোৱাটোৱেই নে ? আৰু মদ খাই মতলীয়া হৈ ফুৰাটোৱেই নে ? চৰিত্ৰ ৰক্ষা কৰাটো অকল তিৰুতাৰহে কৰ্তব্যৰ ভিতৰৰ, পুৰুষৰ নহয় নে ?

সেইভাই মোৰ দুখ দুৰ্দ্দশা দেখি মোৰাই-নাই শোকত ভুকাই-ঢুকাই প্ৰাণত্যাগ কৰিলে। আজি

ঘেজাৰত মৰে মৰে। আই বোপায়ে পেটৰ পোৱালিক পুতেকৰ তুল্য জোঁৱায়েকৰ হাতত সপি দিছিল নে যমৰ হাতত? তিৰুতাৰ ওপৰত অত্যাচাৰ আৰু দুৰ্ব্যৱহাৰ কৰিবলৈকে মাক-বাপেকে নিজৰ সন্তানক বুকুৰপৰা ছিৰি পুৰুষৰ তিৰুতা কৰি দিয়ে নে? পুৰুষে তিৰুতাৰ স্বভাৱ চৰিত্ৰ নিৰ্ম্মল হৈ থাকিবৰ নিমিত্তে দেখোন বৰ কট্‌কটীয়া বিধি বিধান দিয়ে, কিন্তু তেওঁলোকৰ নিজৰ ফালে তেনে বিধি বিধানৰ বান্ধোনবোৰ ঢিলাশোলোকা কৰি লয় কিয়? তেওঁলোকে তিৰুতাৰ পৰা যেনে নিৰ্ম্মল শুদ্ধ চৰিত্ৰ বিচাৰে, তিৰুতাইও তেওঁলোকৰপৰা তেনে বিচাৰিব নোৱাৰে কিয়? কৰ্ত্তব্য একতৰফীয়া একপক্ষীয়া কেনেকৈ হেতিয়াৰপৰা হল?

আমাক পুৰুষে দেখোন বৰকৈ পতিভক্তি শিকায়; পুৰুষ আমাৰ ভক্তিৰ পাত্ৰ হবলৈ যত্ন নকৰি চৰিত্ৰ-বিষয়ত উদণ্ড হয় কিয়? আমাক স্বামীৰ শত দোষলৈ আওকাণ কৰি চকুমুদি থাকি দিনে ৰাতিয়ে স্বামীৰ সেৱা কৰিবলৈ পুৰুষে কয়; স্বামী পাষণ্ড দুৰ্বৃত্ত দুৰাচাৰ মদপী কুচৰিত্ৰবান হলেও সেই বোৰলৈ আমি চকু নিদি, মাত্ৰ স্বামীসেৱাকেহে কৰি থাকিবলৈ তেওঁলোকে ব্যৱস্থা দিয়ে, কিন্তু তেওঁলোকে পাহৰে যে আমিও মানুহ। কিয়, তিৰুতা অলপ দোষতে যে পৰিত্যাগ কৰিবলগীয়া হয়, স্বামীৰ বেলিকা নো এই অন্ধভক্তি কিয়? ইতিহাস পুৰাণ ধৰ্ম্মশাস্ত্ৰৰ নানা উদাহৰণ দি পুৰুষে এইবোৰ শিকনি তিৰুতাক দিয়ে দিয়ক, ভাল কথা, আমি সেই শিকনি লম, কিন্তু তেনেবিলাক সদ্গুণ আমি স্বামীৰ ফালৰপৰা দাবী কৰিব নোৱাৰোঁ কিয়? "জোৰ যাৰ মুলুক তাৰ"—নীতি পুৰুষৰ বেলিকা দেখা যায় কিয়? ইয়াৰ কাৰণ অকল পুৰুষৰ হাতত আইন কৰাৰ আৰু আইনৰ ব্যৱস্থা দিয়াৰ ভাৰ দেখি নহয় নে?

কোনো পশুপ্ৰকৃতি দুশ্চৰিত্ৰ পুৰুষেৰে সৈতে কোনো তিৰুতাৰ বিয়া হল। সেই পুৰুষে সেই তিৰুতাৰ জীৱন ব্যৰ্থ কৰিলে। তথাপি সেই তিৰুতাই সেই পশু স্বামীটিৰ পৰা দিনে-ৰাতিয়ে লাথি চৰ গোৰ খাই তেওঁক সেৱা কৰি, পূজা কৰি ধ্যান কৰি থাকিব লাগিব, কাৰণ সেই পশুটি সেইজনী (তেহেলে সেই তিৰুতা দেৱীৰ চৰিত্ৰ হলেও) তিৰুতাৰ ইহকাল পৰকালৰ লগৰীয়া!!! আন সহস্ৰ গুৰুতৰ ভুলৰ শুধৰণী আছে, পৰাচিত আছে, ক্ষমা আছে, কিন্তু দৈৱাৎ ঘটা এই বিয়াৰ বান্ধোনৰ ভুলৰ শুধৰণী নাই, পৰাচিত নাই, ক্ষমা নাই, এৰণ নাই, ইহকাল পৰকাল দুইকালত এই তিৰুতাই সেই পুৰুষেৰে সৈতে নৰকৰ যন্ত্ৰণা ভোগ কৰি থাকিব লাগিব। কি শাস্তি! কি ব্যৱস্থা! কি অবিচাৰ! মঙ্গলময় ঈশ্বৰৰ এনে অমঙ্গল অবিচাৰৰ বিধান হব পাৰেনে? উদাহৰণ স্বৰূপে ধৰক;—আপুনি মোক যমৰ বাতলা দি, অপমান কৰি পৰিত্যাগ কৰি, ভৱিষ্যত মিলনৰ বাট পৰ্য্যন্ত মাৰিও, আকৌ এজনী বিয়া কৰিলে। কিন্তু আপুনি বিউ ঠোলাচেৰেক জুইত দি কিবা নুবুজা মন্ত্ৰ গোটাচেৰেক মাতি, মোৰ সৈতে নকৰিব লগীয়া বিয়াখন কৰিছিল দেখি, মোৰ আৰু আপোনাৰ হাতৰপৰা ইহকালত যে উদ্ধাৰ নাইয়েই পৰকালতো নাই!!! কোন পুৰুষ ঋষি মুনিৰ এই ব্যৱস্থা, তেওঁক যেন ঈশ্বৰে এবাৰ তিৰুতা জনম দি, আপোনাৰ সৈতে বিয়াৰ খোৰোচা গাঠিডাল লগাই দিয়ে, ঈশ্বৰৰ ওচৰত মোৰ এই প্ৰাৰ্থনা।

শুনক, এনে ব্যৱস্থা ঈশ্বৰৰ ব্যৱস্থা নহয়, হব নোৱাৰে। আমি তিৰুতাবোৰ আপোনাসকল পুৰুষৰে নিচিনা মানুহহে, আপোনাসকলৰ খেমালিৰ পুতলা, বা মাটিকলহ, বা ভৰিৰ খৰম বা গোহালিৰ গৰু-ছাগলী নহওঁ। আপুনি যেনেকৈ মোক পৰিত্যাগ কৰিলে, মোৰো আপোনাক অযোগ্য বিবেচনা কৰি পৰিত্যাগ কৰিবৰ অধিকাৰ সম্পূৰ্ণ আছে। আৰু পৰকালৰতো দূৰৰ কথা, ইহকালতে সেইদিনাই যি দিনাই মোক আপুনি আপোনাৰ ঘৰৰপৰা অপমান কৰি খেদি পঠিয়ালে—আপোনাৰে সৈতে মোৰ সকলো সম্বন্ধ গল।

তিৰুতা হলেই যে তাইক বিয়া দিবই লাগিব, বা তাই বিয়া কৰাবই লাগিব, নহলে তাইৰ জাত গল, কুল গল, জীৱন ব্যৰ্থ হল, এই কথা মই নামানো। কাৰণ সি ভুল, ভুল সম্পূৰ্ণ ভুল। যোগ্য, ধাৰ্ম্মিক মনুষ্যত্বৰ মোল বুজা, স্বামী আৰু সঙ্গী হবৰ উপযুক্ত লোক পালে অৱশ্যে তিৰুতা ছোৱালীৰ বিবাহত মঙ্গল কাৰণ মঙ্গলময় ঈশ্বৰৰ সি ইচ্ছা। তেনে দৰা নেপালে তিৰুতা ছোৱালীয়ে কস্মিনকালেও বিয়া কৰিব নেপায়, আৰু মাক বাপেকেও বিয়া দিব নেপায়,—এইটো কাকতীৰ ঘৰৰ "অশিক্ষিতা" ছোৱালী ললিতী তিৰুতাৰ ব্যৱস্থা; কাৰণ তাই নিজে ভুক্তভোগী। পুৰুষক স্বায়ত্তশাসন লাগে, স্বৰাজ লাগে, কাৰণ নিজৰ ভাল বেয়াৰ আইন-কানুন তেওঁলোকে নিজে কৰি নিজৰ সুখ বঢ়াব, দুখ কমাব, কিয়নো, লোকে আইন কৰিলে তেনে নহয়। আমি তিৰুতাৰো সেয়ে যুক্তি। আমাকো স্বৰাজ স্বায়ত্তশাসন লাগে, আমিও আমাৰ আইন নিজে কৰি লম, পুৰুষৰ হাতত আমালৈ আইন কৰাৰ ভাৰ নাৰাখোঁ; কাৰণ তেওঁলোকে পক্ষপাতীয়া আৰু সেই কাৰ্য্যৰ অযোগ্য প্ৰমাণিত হল। তেওঁলোকৰ মনু, পৰাশৰ জ্ঞানী হলেও পুৰুষ, সেইদেখি তেওঁলোকে আমাৰ সম্পূৰ্ণ "দৰদ" নুবুজে। আপোনাসকলেও তো কয় যে আমাৰ আইন আমি কৰি লম, কাৰণ ইংৰাজ আইন কৰোতাসকল জ্ঞানী হলেও আমাৰ "দেশী মানুহৰ" সম্পূৰ্ণ "হাল" অৱস্থাৰ অভিযোগ তেওঁলোকে নুবুজে।

তিকতাই অকল বিয়া কৰি স্বামীসেৱা কৰা আৰু সতি-সন্ততি জন্মাই লালন-পালন কৰাৰ বাহিৰে যে তিকতাৰ জীৱন ইহসংসাৰত সফল কৰিবলৈ আন কাম নাই, এইটো "কুমাৰী" শ্ৰীমতী ললিতী কাকতীয়ে নামানে। বিয়াৰ দাসত্ব-শৃংখলৰ বাহিৰে লক্ষ লক্ষ প্ৰকাৰৰ কাম আছে, য'ত লাগি থাকি তিকতাই নিজৰ জীৱন সফল কৰি মঙ্গলময় ঈশ্বৰৰ ৰাজ্যত মঙ্গলময়ৰ ইচ্ছা পূৰ্ণ কৰি নিজৰ জীৱন কটাই যাব পাৰে। কেৱল বিয়া, বিয়া, বিয়া। বিয়া নিদিলে ছোৱালী অহৰ্নিশে গল। সেইদেখি খোৰা, কোঙা, চোৰ, ডকাইত, মদপী, দুষ্ট, যাকে পোৱা যায়, তাকে ধৰি আনি ছোৱালীজনী দিব লাগিব,–"গৰু পাৰ কৰিব লাগিব"। ছি! পুৰুষ! তোমাৰ এই ব্যৱস্থা!

হাকিম ডাঙৰীয়া, আপোনাক শেহত এটা কথা কৈ এই চিঠি অন্ত কৰিম। আপুনি সমাজিকতো লাভাৰিব যে মোক পৰিত্যাগ কৰিলে বুলি মই জীৱন্ততে মৰিলোঁ। আপোনাৰ নিচিনা পাপ-শিকলিৰ থাঙৰপৰা মুকলি হৈ মই জীলোঁ জানিবা। এই পৃথিৱীত অলেখ দুখিত প্ৰাণী আছে, সিহঁতৰ দুখ গুচাবলৈ সিহঁতক সেৱা শুশ্ৰূষা কৰিবলৈ মোৰ এই ক্ষুদ্ৰ নগণ্য জীৱন উছৰ্গা কৰি মই নিজক ধন্য মানিছোঁ। শক্তি অনুসাৰে পৰোপকাৰ কৰা, সৎ পুথি পঢ়া শুনা কৰা সৎ কাৰ্য্য কৰা, ঈশ্বৰ চিন্তা, ঈশ্বৰক সেৱা ভজনা কৰি জীৱন সাৰ্থক কৰা কাৰ্য্য কৰিবলৈ মই দৃঢ় সঙ্কল্প কৰিছোঁ। ঈশ্বৰে এই দাসীৰ অভিষ্ট সিদ্ধি কৰক, তেওঁৰ চৰণত এই প্ৰাৰ্থনা। ইতি

বিনীতা
শ্ৰীললিতী কাকতী

পুঃ ঈশ্বৰে আপোনাকে যেন সুমতি দি আপোনাৰ দোষ মৰিষণ কৰি মঙ্গল কৰে, তেওঁৰ ওচৰত মোৰ এইটোও প্ৰাৰ্থনা।

—ল,কা। *

(* বাঁহী ৬ষ্ঠ বছৰ: ৭মসংখ্যা। জেঠ, ১৮৩১ শক)

পাতমুগী

আমাৰ ঘৰ ডবকা মৌজাত। জাতত আমি কুমাৰ। ডাঙৰলৈ টেকেলি, কলহ, চৰু আৰু সৰুলৈ জুলুকা, থালসজা, সাজি সেইবোৰকে বেচি কোটাকালৰ পৰা আমি খাই বৈ আছিলোঁ। কিন্তু এতিয়া আৰু আমাৰ ব্যৱসায় নচলা হল। নানা তৰহৰ বিদেশী বস্তুৱে আমাৰ দেশ ভৰাই [illegible] [illegible] [illegible], [illegible] 'কেৰাচি'ই আমাৰ জুলুকা, [illegible] আৰু [illegible] [illegible] দি খেদিলে ; বিদেশী এলুমিনিয়মৰ লোৰ আৰু চীনামাটিৰ বাচন-বৰ্তনে আমাৰ সাতামপুৰুষীয়া চৰু-কলহক বনবাস দিলে। আজি আমি নিৰুপায় হৈ বোপা-ককাৰ ব্যৱসায় এৰি এডৰা-আধডৰা মাটিৰ খেতিকে হাতত লৈ কোনো মতে পেট প্ৰবৰ্তাই আছোঁ। তাতো বিদেশীয়ে হেডাওপৰা লগাই আমাক চুকলৈ ঠেলিব লাগিছে। আমাৰ গাত বল নাই, গাঁঠিত পইচা নাই, যে সেই ঠেলাক ওলোটা ঠেলাৰে সুতাব পাৰোঁ। তাৰ উপৰি, তেনেৰে জেকি থকা মুৰতহে তেল পৰে বুলি কয়। মাটি বন্দৱস্ত কৰি দিয়া ৰজাঘৰীয়া বিষয়াক আমি সন্তোষ লগাব নোৱাৰোঁ। এইবোৰ কাৰণত এতিয়া আমাৰ নাঙল-নাথল অৱস্থা। আলতী বাইহঁতো আমাৰ গাঁৱৰে। আমাৰ ওচৰ-চুবুৰীয়া আৰু আমাৰ জাতৰে। পাতমুগী আলতী বাইৰ জীয়েক। তাই মোৰ দদাই বুলি মাতে আৰু মোৰ আগতে উপজি ডাঙৰ দীঘল হৈ এতিয়া ভৰ-গাভৰু। ছোৱালীজনীক দেখিলে কোনে আমাৰ নিচিনা দুখীয়া ছাল ছিগা ভিকহু কুমাৰৰ ঘৰৰ ছোৱালী বুলিব? ঠিক তাই যেন সদৰামিনৰ ঘৰৰহে জীয়ৰী।

ধকতা মৌজাৰ পৰা ধামুণৰ ল'ৰা এটা আহি তাইত চকু দিলে। ঈশ্বৰৰ ইচ্ছাত তাইৰো অতে মন বহিলে। তাইতে সি চাপি বল। আমি আটায়ে পাতমুগীক কত বুজালো, তেনে কাম নকৰিবলৈ ; কিন্তু তাইৰ মন ঘূৰাব নোৱাৰিলোঁ। মাকৰ হাকো তাই নুশুনিলে। যি হ'ল হ'ল বুলি আমি পঞ্চায়ৎ গোটালোঁ। পঞ্চায়তৰ আগত লৰাজনে তাৰ লগুণত ধৰি শপত খাই, এখন কাকতত লেখি দিলে যে যাৱজ্জীৱন সি পাতমুগীক নেৰে আৰু কলে, সি যেতিয়া তাইৰ নিমিত্তে নিজৰ জাতকে এৰি দিবলৈ গৈছে, তাই তাৰ কিমান চেনেহৰ বস্তু, পঞ্চায়তে ভাবিলেই বুজিব পাৰিব। আমিও ভাবিলোঁ ইক, দূৰ গাঁৱৰ নিছলা সিঠকন্ধা লৰাটোক নিয়ন্তাজনে কোবাই-ধৰিয়াই আনি যেতিয়া আমাৰ মাজত পেলাই দিছেহি, তাৰ এটা গতি আমি কৰিবই লাগে। থাওক সি আমাৰ জাতৰে এটা হৈ আমাৰ গাঁৱতে। অপুত্ৰকা বুঢ়ীজনীয়েও আমিবা পো এটা পালে।

কিন্তু আজিকালিৰ দিনকাল উলটিল। মিছা বেশ্যা আদি পাপ বলী হৈ উঠি পৃথিৱী গ্ৰাস কৰিলে। মানুহৰ কথাত সত্যত বাব নোৱাৰি। মুখৰ পঢ়, বাহিৰৰ কাম দেখি মানুহক বুজিবলৈ গলে বামত পৰিব লাগে। চপনীয়া ডেকা এবছৰ ছোৱালী জনীৰে সৈতে ঘৰ কৰি থাকি সিদিনা অঃকুছু মাৰিলে। কিতাতে সি কলৈ গ'ল, কোনেও কবকে নোৱাৰিলে। ছোৱালীজনীয়ে তাক বিচাৰি মাগাই [illegible] [illegible] হল। আমিও [illegible] [illegible] বিচাৰি তাৰ [illegible] [illegible] [illegible]

নোৱাৰিলো। সেইহে ভাগৰি ভাবিলোহঁক যে তাৰ কৰ্মফলত অপঘাত মৃত্যু হল; নহলে এনে বেধা লগা বামুণৰ ল'ৰাটোৱে এনে হেন দীপলীপ্ ছোৱালীজনী এৰি কলৈ যাব। গিৰিয়েক ঘৈণীয়েকৰ ভিতৰত কেতিয়াও কোনো দন্দ-খৰিয়াল লাগিছিল বুলিও কোনেও কব নোৱাৰে। শাহুৱেকেও তাক আতোল্-তোল্‌কৈ ৰাখিছিল। ৰাখিবৰ কথাও। তাক খিৰ-জুৰ দেখি আৰু তাৰ কথা-বাৰ্ত্তা চলন-ফুৰণ ভাল দেখি গাঁৱৰ সকলো তাৰ ওপৰত তুষ্ট হৈ পৰিছিল। সকলোৱে কৈছিল, "পাতমুগীয়ে কপালৰ বলতহে এনেটো চিকুণ দৰা পালে।" কিন্তু, কিন্তু-কিন্তু-কিন্তু হল, আৰু এনেবোৰ কথাই-বতৰাই দিনটো নোযোৱা হল। কি কম কি শুনিবা! সিদিনা কোৱাৰ মুখে চিলাৰ মুখে বাতৰি ওলাল, সি হেনো তাৰ ঘৰ বকতা মৌজা পালেগৈ। গৈয়েই হেনো সি পা-পৰাচিত হৈ জাতত উঠি আকৌ বামুণী ছোৱালী এজনী বিয়া কৰিলে। আমাৰ পাতমুগীয়ে এই জনৰবটো কোনোবা শত্ৰুৱে মিছাকৈ তুলিছে বুলি বিশ্বাসকে নকৰে। মই বোলোঁ, তেনেহলে চকু-কাণৰ বিবা-দকে ভাঙি আপোন চকুৰেই চাই আহোঁগৈ। এইবুলি বোকাই-পানীয়ে খোজ কাঢ়ি গৈ ওলালোঁ বকতাত। তাত যি শুনিলো আৰু নিজৰ চকুৰে যি দেখিলো দেখি-শুনি মোৰ পেটতে হাত-ভৰি লুকাল। বতৰাটো গোটেই সঁচা। সি তেনেকুৱা গোবাদ্ধ কামকে কৰিলে হয়। তাক মই লগ ধৰি আখাৰচেৰেক কথা কব খুজিছিলো, কিন্তু তাৰ ওচৰ চুকিবকে নোৱাৰিলো। সেই গাঁৱৰ মানুহখিলাকে তাক ঘৰ-বেৰা দি ৰাখিছে। মোক দেখি, সিহঁতে ধৰি তহিলং কৰি কিলাইকে দিব খুজিছিল। সেইহে প্ৰাণটো লৈ পলাই আহিহে ৰক্ষা পৰিলোঁ।

পাতমুগীয়ে মোৰ মুখৰ কথাবোৰ শুনি হিয়া-ময় ভুকুৱাই কান্দিবলৈ ধৰিলে। মাকৰ অৱস্থা দেখিলে কান্দোন ওলায়। বুঢ়ীয়ে ভাত-পানী এৰি তিনি দিনলৈকে শোৱাপাটীত দীঘল দি পৰি আছিল। যি হবৰ হল, এই বুলি সিহঁতক প্ৰথমতে বুজনি-চেঁচনি দি সহি থকাই ভাল বুলি কৈছিলো। কিন্তু তাৰ পিছত ভাবিলো, ইমান বিশ্বাসঘাতকৰ এটা শাস্তি নহলে এই পৃথিৱীত আৰু ধৰ্ম্ম নাথাকে। ইয়াকে ভাবি মই আলতীবাই আৰু পাতমুগীক লগত লৈ কাছাৰীত গোচৰ কৰিবলৈ ৰংপুৰলৈ বুলি খোজ ললোঁ।

চ'ত মাহ। টিকা-ফটা ৰ'দ। বাটত যাওঁতে যাওঁতে আমাৰ বৰ পিয়াহ লাগিল। বাটৰ কাষতে ঔটেঙাৰ গছ এজোপা পালোঁ। ওপৰলৈ চাই দেখিলো, তাত ভালেমান ঔটেঙা লাগি পকি আছে। পাতমুগীয়ে কলে, "দদাই! বৰ পিয়াহ লাগিছে। পকা ঔটেঙা এটাকে পাৰি আনা, খাওঁহঁক। পিয়া-হত মোৰ অণ্ঠে-কণ্ঠে শুকাই গৈছে।" উঠিলোঁ ঔটেঙা গছত। পাৰিলো তিনিটা পকা ঔটেঙা। তললৈ চাই নামি আহিছো, এনেতে ওপৰলৈ চাই থকা পাতমুগীৰ মুখখনত মোৰ চকু পৰিল। তাইৰ মুখখন ৰ'দত পকা থেকেৰা যেন হৈ পকি পৰিছে। মুখখন সঁচাকৈয়ে কি ধুনীয়া দেখাইছে। আগৰে পৰা সদায় তাইৰ মুখ মই দেখি আহিছো, কিন্তু আজি দেখাখনৰ নিচিনা কেতিয়াও কস্মিনকালেও দেখা নাছিলোঁ। আৰু এখোপ নামিলতে তাইৰ দুচকুত মোৰ চকু দুটা পৰিল। মই ৰ লাগি ৰ'লোঁ। ভাবিলো দেহি ঐ! কি বিতোপন চকুযুৰি! তাৰ পিছৰ খাপত আৰু মোৰ চকু নপৰা হল। পাতমুগীয়ে মোৰ গঢ় দেখি কি বুজিলে কব নোৱাৰো, মিচিক্-কৰে হাঁহি মাৰি ক'লে, "দদাই! ৰ লাগি কি চাইছা? নামি আহা! পিচলি পৰিবা চাবা।" তাইৰ কথা শুনি মোৰ গাত গোসাঁই নাইকিয়া হল। তাইৰ ডিঙিৰ পৰা যে এনে সুৰীয়া সোবাদ মাত ওলাব, এইটো মই আগেয়ে নাজানিছিলোঁ। আগেয়ে তাইৰ মাতত এনে মৌ থকাটোৱো মই কেতিয়াও গম পোৱা নাছিলো। কিয় কব নোৱাৰো, মোৰ গাটো জ্বৰ-ঘামে ঘামিবলৈ ধৰিলে। মই কোনোমতে নিজক চম্ভালি লৈ পিচলি অহাদি আহি মাটিত ভৰি দিলোঁ। সেইদৰে আহোঁতে গছৰ গাত মোৰ বুকুখন লাগি ঘঁহনি খাই তাৰ মাখিছাল ছিগিল। দেখিলোঁ, অলপ আগলৈকে পানীৰ পিয়াহত পৰি থৰ যুগুতি এৰা পাতমুগী এতিয়া ঠন ধৰি উঠিল। মুখত তাইৰ মিচিক-মাচাক হাঁহি।

এইটো কি? মোক কিহে পালে? মোৰ কি হ'ল কোনোবাই কব পাৰে নে? মই হলে তাৰ মোৰ উলিয়াব নোৱাৰি বিমোৰত পৰিলো। অলপৰ আগলৈকে পিয়াহত লেৰেলি থকা পাতমুগীৰ মুখতো দেখোন মিচিকিয়া হাঁহি। তাইৰ হাত-ভৰি কেইটাও দেখোন আগতকৈ চতৰ্‌ বতৰ। তাইৰ ভাগৰ-জোগৰখন কলৈ গল? পকা ঔটেঙা মুখত নিদিয়াতে তাইৰ এই অৱস্থা; মুখত দিলে তাই তাইৰ দুখীয়া দদায়েকক উৰাই নি মানস সৰোবৰত পেলাই দিবগৈ নেকি? যিজনী ছোৱালী কন্তেকৰ আগলৈকে বামুণ গিৰিয়েকৰ প্ৰবঞ্চনা আৰু দুৰ্ব্যৱহাৰত আদমৰা হৈ আছিল, হঠাৎ কিহে তাইক যোলকণীয়া কৰিলে। মোৰ বা হঠাৎ এই ধপদ্-ধপৰখন লাগিল কিয়? পাতমুগীকতো মই কাপোৰ নিপিন্ধা অৱস্থাৰে পৰা দেখিছোঁ। তাইয়ো মোক সদায় দেখি আহিছে। আন নেলাগে, তাইক কোলাত লৈ মই ডাঙৰ-দীঘল কৰিছো বুলিলেই হয়। আজি মোৰ এইখন কি হল। তাইৰ বা কি হল। এই ঔ গছত কোনোবা দেৱতা আছিল নেকি, যে

আমাক দুইকো খান মাৰি এনেকুৱাকৈ শালিলে ? মই আঠৈকুৰি বছৰীয়া বুঢ়া। পাতমুগী সোত্তৰ বছৰীয়া ডেকেৰী ছোৱালী। তাই মোৰ জীৱ লগৰ। ছিঃ! মোৰ ভাবিবলৈকে লাজ লাগিছে! হে হৰি! মোক কি কৰিলা! মই বে তললৈ গলো! মোৰ ঘৰত ঘৈণী আছে; ল'ৰা-ছোৱালী আছে। মোৰ গাৰ গোসাঁই আজি কলৈ গল ? গোসাঁইৰ ঠাইত ঔ গছৰ দেও আহি মোৰ গাত সোমা-লহি নেকি ? ঠিক বুজিছো, মোৰ গাত দেও লম্ভিলে। ছোৱালীজনীৰ গাতো লম্ভিল হবলা! তাইৰ ভাগৰ কলৈ গ'ল ? মাকে কাটি দিয়া ঔ ৰখলা তাই খাবলৈ পাহৰি হাতত লৈ মোলৈ চাই কি ভাবি বৈ আছে ?

ৰেলৰ লাইনৰ ওপৰত ৰেলৰ ডাকগাড়ীখন উধাতু খাই যোৱাদি, এই ভাবধোৰ বিজুলী সঞ্চাৰে মোৰ মনৰ ওপৰেদি লৰি গল। পাতমুগীয়ে মাত লগালে— "দদাই! ঔটেঙা খোৱা। মিছাকৈ কিধোৰ ভাবি আছা ? চাওঁ তোমাৰ বুকুখন।" এইবুলি তাই উঠি মোৰ বুকুত হাত দিলে। মোৰ বুকুৰ টিপ্‌টিপনি নিশ্চয় তাইৰ কাণত পৰিছিল। "ইস্! মাখিছাল ছিগি গৈছে! যাওক, ওপৰে ওপৰেহে; ভিতৰলৈ সোমাব পৰা নাই।" তাইৰ কথাষাৰ শুনি মই লাজতে জঁয় পৰি গলো। ভিত-ৰলৈ কি সোমোৱা নাই। এইষাৰ কথাৰ মানে কি ? তাই দিয়া ঔ টেঙাৰখনা লৈ মুখত সুমাবলৈ যাওঁতে, সি নাকত ঠেকিল। মোৰ সেই খিপৰ্য্যয় অৱস্থা দেখি পাতমুগীয়ে ঢেক্‌ঢেক্ কৰে হাঁহিবলৈ ধৰিলে। মোৰ নখে লাজ লাগিল। মই আলতী বাইক কলোঁ, "মোৰ গাটো দেখোন বৰ বেয়া লাগিছে খাই।"

বায়ে কলে,—"এই ভৰদুপৰীয়াখন ঔটেঙা গছত উঠাটো ভাল হোৱা নাছিল। দেও, ভূত, জলশাই, থলশাই, দেৱতাসকলে এই সময়ত ক্ৰীড়া কৰি ফুৰে।"

ঔটেঙা পৰ্ব্বৰ ওৰ পৰিলত আমি তিনিও আকৌ ৰংপুৰৰ ফালে খোজ ললোঁ। বাটত যাওঁতে মই এক প্ৰকাৰ নিমাত কিন্তু পাতমুগীৰে মুখত আখৈ ফুটা দেখি মাকে কলে,—"পাতমুগী! তোৰ হল কি ? আজিচোন বৰ উলাহ ? তইঁত দুইবো পচ দেখি মোৰ ভয় লাগিছে। ঘৰলৈ উভতি গৈ আবৰণীয়া হাঁহ এটা মাৰি ভকতক চাউল একঠা খুৱাবলৈ মই আগ কৰিছোঁ।"

যাওঁতে মই ভাবি গৈছোঁ, ক'ত্ত পাতমুগীৰ প্ৰতি কোনো ফালে কু ভাব মোৰ মনত নাছিলতো। তাইবোতো সাধাৰিকৰেই কথা। তেন্তে মোৰ এনে বিসঙ্গতি হৈছে কিয় ? তাইৰ মুখত ইমানকৈ মিচিকীয়া হাঁহিৰ মানেই বা কি ? কেনেকৈ মোৰ অন্তৰৰ ভিতৰত তাইৰ চকু পৰিল নেকি ? তাইৰ বুদ্ধিটো ইমান তীক্ষ্ণ নে ? কেনেকৈ তাই বুজিলে ? এতিয়া তাইৰ ফালে মোৰ মুখখন তুলি চাবলৈকে লাজ লাগিছে। মোৰ পৰাজয়ত তাইৰ এই উলাহ নেকি ? তিৰোতাৰ মনটো কঁচাকৈয়ে বিচিত্ৰ সমলেৰে গঢ়া। সেই কণমানি ছোৱালী-জনীয়ে এই পঞ্চাশ বছৰীয়া শুকান বুঢ়াটোক খিতাতে গৰকি পেলালে। আচৰিত কথা।

ইয়াৰ পিছত আমি ৰংপুৰ পালোগৈ। তাতে এজন ডাঙৰ উকিলৰ কাষ চাপিলো। প্ৰথমতে উকিলৰ মহৰীৰ হাতত পৰিলোঁ। মহৰীয়ে আমাক নগুৰ্ণাগতি কৰিলে। ইয়াৰ এইটোৰ বাবে, সিটোৰ সেইটোৰ বাবে খৰচ দিব লাগে বুলি থাকুলেখ দি আমি লগত লৈ যোৱা কপ কেইটকা অ'ন-খিলীয়া কৰিলে। শেহত আমি উকিলৰ কাষ পালত, উকিলৰ ফিজকে আদি কৰি যি খৰচৰ হিচাপ ওলাল, সেইখোৰ শুনিয়েই আমাৰ মুখ শুকাই গল। মই উকিলক কলো, —"দেউতা! আমাৰ হাতত এতিয়া ইমান টকা নাই।"

উকিলে কলে,—"যি আছে তাকেই দিয়া। গোচৰ থিয় কৰিলে, পিছত ঘৰৰ পৰা বাকীখিনি আনি দিলেই হব। মকৰ্দ্দমা তোমালোকৰ ফালে বৰ বলী। প্ৰৱঞ্চকক মই ঠিক শাস্তি দিয়াম। ছোৱালীয়েও 'খেচাৰৎ' পাব।"

উকিলক আমাৰ হাতত থকা বাকী কেইটকা কপ দিয়াৰ পিছত হঠাৎ পাতমুগীয়ে উকিলক কলে,—"উকিল দেউতা! মই আক গোচৰ নচলাওঁ।"

উকিলে কিয় বুলি সোধাত তাই উত্তৰ দিলে, "যথেষ্ট হৈছে। মোৰ গিৰিহঁতক দণ্ড দিয়াৰ মোৰ মন নাই।"

"তেন্তে কিয় আহিছিলি ?"

"গোটাদেক কথাৰ প্ৰমাণ চাবলৈ।"

"কি কথাৰ ?"

"পুৰুষ জাতিৰ প্ৰৱঞ্চনা, নিষ্ঠুৰতা আৰু দুৰ্ব্বলতাৰ।"

"প্ৰমাণ পালি নে ?"

"পালোঁ।"

"ক'ত ?"

"আগেয়েও পাইছিলো, এতিয়াও পালো। আৰু নালাগে। দেউতা! আপোনাক বাকী কথাৰ কাৰণে যি সেইটো টকা দিয়া হল, আপুনি

লৈয়েই সন্তুষ্ট হওক।" ইযাকে কৈ তাই উকিলৰ কাষৰ পৰা ঘট্ ঘট্ কৰে ওলাই গল।

উকিল স্তম্ভিত হৈ ৰ'ল। তাৰ পিছত উকিলে আমাক কলে,—"এইজনী ছোৱালীতো কম নহয়। ৰৰ মইমতীয়া।"

উকিলৰ কথাৰ উত্তৰ দিবলৈ আমি একো বিচাৰি নাপাই উকিলক সেৱা জনাই ওলাই গুচি আহি পাতুমুগীৰ পাছে পাছে যাবলৈ ধৰিলো। উকিলৰ মহৰীয়ে বিড়িয়াই আমাক মাতিলে, "হেৰা। শুনি যোৱাহঁক, কথা আছে।"

পাতুমুগীয়ে উভতি চাই উত্তৰ দিলে—"কথা যি থাকিল থাওক আৰু নুশুনো।"

উভতি আহোঁতেও পাতুমুগীৰ সেই একেটা গঢ়েই—হাঁহি, উলাহ আৰু লচুপচী। মই মৌন, মাকো মৌন। আকৌ বাটৰ কাষৰ সেই ঔটেঙা জোপাৰ ওচৰ পালতে, পাতুমুগীয়ে মোক কলে—"দদাই। আৰু এটা ঔটেঙা নাপাৰা নে? যদিও মোৰ এইবাৰ পিয়াহ লগা নাই, তথাপি তোমাৰ কিজানি লাগিছেই।"

মই তাইৰ কথাৰ একো উত্তৰ নিদি তললৈ মূৰকৈ বেগাবেগিকৈ যাবলৈ ধৰিলো। পাতুমুগী আৰু মাকক সিহঁতৰ ঘৰ পোৱাই দিলেই মই মোৰ ঘৰলৈ আহি, ভৰি-হাত ধুই আমাৰ নামঘৰলৈ গৈ থাপনাৰ ফালে মূৰ দি দীঘল হৈ পৰি, মোৰ মনত সেইদিনা ক্ষন্তেকৰ নিমিত্তে হোৱা বিকাৰৰ বাবে ঈশ্বৰৰ চৰণত কাকুতি কৰি ক্ষমা মাগিলো। তাৰ পিছত মই একেবাৰেই পূৰ্ব্বাৱস্থা লভিলো নে নলভিলো, কব নোৱাৰো; কিন্তু দিনচেৰেকলৈকে পাতুমুগীহঁতৰ ঘৰৰ ফালে আৰু মুখ কৰা নাছিলো।

এদিন হঠাৎ পাতুমুগী মোৰ ওচৰত ওলালহি। তাই মোক কলে—"দদাই। মোৰ দোষ মৰিষণ কৰক। তিৰোতাৰ স্বভাৱৰ বিষয়ে মতা মানুহে কেতিয়াও ভালকৈ নাজানে, আৰু জানিবও নোৱাৰে। মানুহে নজনাটোতো ঠিকেই। দেৱতাইও নাজানে বুলি কয়। পুৰুষক হাতৰ মুঠিত লবলৈ পোৱাটোৱেই তিৰোতাৰ ডাঙৰ আশা। পুৰুষক জয় কৰাৰ আনন্দ তিৰোতাই লুকাব নোৱাৰে। তেহলৈ পুৰুষজন যেয়েই হওক। এইকেইটা দিনৰ ভিতৰতে মই অনেক দেখিলোঁ, অনেক শিকিলোঁ। সেই চপনীয়া বিটলীয়াক মোক আৰু নালাগে। কিন্তু সেই বুলি মই তেওঁৰ কোনো অনিষ্ট কৰিবও নোখোজো। সংসাৰত এক ঈশ্বৰৰ বাহিৰে সঁচা একো নাই। সঁচাই ঈশ্বৰ, ঈশ্বৰেই সঁচা। তেওঁৰ সেৱাৰ বাহিৰে মানুহৰ কাৰ্য্য নাই। ধৰ্ম্ম ধৰ্ম্ম কৰি ধৰ্ম্মৰ নামত মানুহে যে দিনে-ৰাতিয়ে কত অধৰ্ম্ম কৰি আছে, দেখিলে দুখ লাগে! ধৰ্ম্ম কাক বোলে আমাক আমাৰ মহাগুৰু শ্ৰীমন্ত শঙ্কৰে তেওঁ কৰা কীৰ্ত্তনত কৈ দিছে :—

সমস্ত ভূততে দেখিবেক নাৰায়ণ।
আত পৰে আন ধৰ্ম্ম সবে বিড়ম্বন॥

ঈশ্বৰত ভক্তি কৰিলেই ঈশ্বৰক পোৱা যায়। কেনেকৈ ভক্তি কৰিব লাগে, তাকো শ্ৰীশঙ্কৰ গুৰুৱে আমাক কৈ দিছে :—

শত্ৰু-মিত্ৰ সব কৰিয়ো সম।
এহিসে কৃষ্ণৰ ভক্তি পৰম॥

ঈশ্বৰক এই মাটিৰ চকুৰে কোনেও দেখিবলৈ নাপায়। কিন্তু তেওঁ চৰ্চ্চা সংসাৰখনতো এই চকুৰ আগতে আছে। দুখীয়াৰ দুখ গুচাবলৈ, আৰু দৰিদ্ৰ নিৰাশ্ৰিত প্ৰাণীৰ ভালৰ অৰ্থে কাম কৰিলেই ঈশ্বৰ সন্তুষ্ট হয়। ভগৱন্ত শ্ৰীকৃষ্ণই কৈছে :—

বিশেষত মনুষ্যগণত যিটো নৰে।
বিষ্ণু বুদ্ধি ভাৱে সৰ্ব্বদায় মান্য কৰে॥
ঈৰষা অসূয়া তিৰস্কাৰ অহঙ্কাৰ।
সবে নষ্ট হোৱে তেবে তাৰক্ষণে তাৰ॥

মই মোৰ মনটো শিলৰ খুটি যেনকৈ বান্ধিলোঁ। মহাত্মা গান্ধীৰ বাক্য শিৰত লৈ মই স্বদেশ আৰু সকলোৰে হকে, আৰু থাইকৈ দুখীয়াৰ হকে মোৰ এই জীৱনটো উছৰ্গা কৰিলোঁ। কালিৰ পৰা কোনেও মোক আগৰ অৱস্থাত নেদেখে। দদাই। তুমি তোমাৰ এই দুখুনী ভতিজা জীজনীক আশীৰ্ব্বাদ কৰা যেন তাইৰ মনৰ বাঞ্ছা সিদ্ধি হয়।" ইয়াকে কৈ পাতুমুগীয়ে মোক আঁঠুকাঢ়ি সেৱা এটা কৰি উঠি গুচি গল। মই হতবাক্‌ৰ দৰে তাইৰ ফালে চাই ৰ'লো।

এই গল্পটো লিখি মই মোৰ এজন শিক্ষিত বন্ধুক দেখুৱালো। বন্ধুজন নিৰ্ভীক আৰু বিচক্ষণ 'কৃতিক্' অৰ্থাৎ সমালোচক। তেওঁক গল্পটো চাবলৈ দি ক'লো,—"গল্পটোৰ বিষয়ে আপোনাৰ মতামত মোক লেখি দিয়ক।" মোৰ মনৰ ভাবটো এনে যে, গল্পটো তেওঁ ভালকে বুলিব। যদি নামজলা 'কৃতিক্' সাহিত্যিক এজনে ভাল হৈছে বুলি লেখি দিয়ে, তেন্তে, বুকু ফিন্দাই তাক কাকতত ছপাবলৈ পঠিয়াই দিম। তেতিয়া ভয়তে আৰু তাক বেয়া বুলিব নোৱাৰিব। আৰু বুলিলেও, অস্ত্ৰ ধৰি লৈ আমাৰ 'কৃতিক্' আছে। মোৰ অনুৰোধ ৰক্ষা কৰি বন্ধুৱে যি মতামত লেখি দিলে, তাক তলত ছপালোঁ। পাঠকে পঢ়িলেই দেখিব যে মোৰ জ্ঞানাৰ প্ৰসৰৰ কল, অসুস্থিৰ এটি :—

"প্ৰিয়বৰেষু। তোমাৰ গল্পটো মই অতি মনযোগ দি পঢ়িও তাৰ কোনো এটা পাৰত উঠিব নোৱাৰিলোঁ। এইটোক যদি গল্প বুলিব লাগে, তেন্তে পুৱাবে পৰা গধূলিলৈকে তোমাৰ আৰু আমাৰ ঘৰত বিবোৰ শাক-ভাত খোৱা কথা চলে, সেইবোৰো গল্প। ধোলোঁ, গল্পটোৰ 'প্লট' ক'ত? ইয়াত নাই 'প্লট' নাই 'আৰ্ট' নাই 'বিউটী' নাই নীতি, নাই ৰীতি, আছে মাথোন ফুটুকাৰ ফেনসোপা। আলতী বাইৰ বন্ধুজন পঞ্চাছ বছৰীয়া বুঢ়া আৰু গাঁৱৰ সম্বন্ধত পাতমুগীৰ দদায়েক। বুঢ়াৰ ঘৰত বুঢ়ী আছে, লৰা-ছোৱালী আছে আৰু ধৰ্ম্মজ্ঞান কাণ্ডজ্ঞানো বুঢ়াৰ অলপ অচৰপ আছে যেন মনে ধৰিলে। বুঢ়াই সৰুৰে পৰা ডাঙৰলৈকে পাতমুগীক দেখিছে। ইমান কালৰ ভিতৰত এদিনো, বুঢ়াৰ মনৰ খিকাৰ নঘটিল; ঘটিল বুঢ়াই ওটেঙা গছৰ পৰা চুচৰি নামি আহোঁতেহে? 'বিদিকুলাছ' বোলোঁ হাঁহি উঠা কথা। ই সম্ভৱ অসম্ভৱ, দুইখন ডেওনাকে ডেই পাৰ হৈ গৈছে। ছোৱালী জনীয়ে গিৰিয়েকক হেৰুৱাই আৰু তাৰ শঠতা, প্ৰৱঞ্চনাত মৰ্ম্মাহত হৈ গোচৰ কৰিবলৈ, ইমান হাবাথুৰি খাই ব'দত খাটকুৰি খাই যাওঁতে লানকাল। এনে অৱস্থাত তাইৰ অভিভাৱক আৰু শ্ৰদ্ধাভাজন বুঢ়া মানুহজনৰ ভাৱবিপৰ্য্যয় দেখি তাইৰ হেনো হাঁহি উঠিল, আৰু ভাগৰ পলাল। তাৰ পিছত সিইঁতৰ সাঁচতীয়া দুখৰ বিত ফেৰা ভগন হৈ ওৰ পৰিলতে, ছোৱালীজনীয়ে কলে, মই গোচৰ নকৰোঁ। আৰু সেই কথা তাইৰ মাকেও শুনিলে, আৰু বুদ্ধি পকা অভিভাৱক জনেও শুনিলে। ইয়াতকৈ 'বিদিকুলাছ' কথা আৰু কি হব পাৰে? ছোৱালীজনীয়ে গোচৰ নকৰাৰ কাৰণ যি দিছিল, সিও অকিঞ্চিৎকৰ। তাৰ পিছত দেশসেৱাৰ নামত, গান্ধীৰ কংগ্ৰেছত তাইৰ যোগদান। এইটো তোমাৰ "Midsummer night's dream" হব পাৰে, কিন্তু গল্প নহয়। এই গল্প তুমি নছপাবা। ছপালে হাঁহিয়াতৰ পাত্ৰ হবা নিশ্চয়কৈ কৈ থলোঁ। মোৰ স্পষ্ট কথাত বেয়া নাপাবা। —ইতি

তোমাৰ বন্ধু

শ্ৰী..............................

*　　　*

'কৃত্তিক' বন্ধুৰ কথা নুশুনি মই গল্পটো এইবাৰে ছপালোঁ যে 'কৃত্তিকেল ফেকালটি' নথকা কোনোবাই যদি ইয়াত কিবা পাৰ পাওক। নাপালে যদিও হানি নাই।—অন্ততঃ 'বাঁহী'ৰ পাত গোটাচেৰেক ইয়াৰে ভৰিব। আৰু বাঁহীত গল্প নাই; গল্প নাই বুলি আশৌৰাহ থকা পাঠকসকলক গল্প এটা দিয়া হ'লহেঁতেন। বাবৰ ঠাইত ঘোং, মৌৰ ঠাইত গুৰ কুকুৰাৰ ঠাইত ই পেকোৱা হবহেঁতেন। [illegible] "[illegible] গল্প। [illegible] গল্প" [illegible] তোমাৰ [illegible]

এইডাল শিকিয়াতে কিছুদূৰ উঠি যাব পাৰিব বুলিহে আশা কৰা যায়। আশা সফল হবনে? কৈ থলোঁ যে দৈবাৎ শিকিয়াডাল ছিগে যদিও, উঠোঁতাজন বৰ ওখৰপৰা নপৰে। নিশ্চয়। *

(* বাঁহী—২০শ বছৰ, ৭ম সংখ্যা, কাতি, ১৮৫৩শক)

অমুক

মানুহজনৰ নামটো নকওঁ। কাৰণ যিটো ঘটনা আজি লিপিবদ্ধ কৰিবলৈ গৈছোঁ, সেইটো তেওঁৰ ঘৰুৱা কথা। যেচেবাই দাঁতত ভাত এটা লাগিলেও লৰি আহি তাৰ কথা মোৰ আগত কৈ যায়হি। তেওঁৰ সকলোবোৰ কথা মোক নকলে, তেওঁৰ পেটত ভাত জীণ নাযায়। কিছুমান মানুহ এনেকুৱাই থাকে। পেটৰ কথা তেওঁলোকে পেটত ৰাখিব নোৱাৰে। নিতান্ত অন্তৰঙ্গ বন্ধুক তেনে কথা কলে অৱশ্যে হানি নাই। কিন্তু যাৰে তাৰে আগত বুকুখন উবুৰিয়াই দি লেখনেৰাই ফুৰিলে, কওঁতাজনৰ অমঙ্গল অনিবাৰ্য্য। মোৰ এই বন্ধুজন অৱশ্যে একেবাৰেই তেনেকুৱা শ্ৰেণীৰ নহয়। তেওঁ নিভাজ বন্ধুৰ ওচৰতহে নিজৰ পেটৰ কথা খাকি দিয়ে। তেওঁৰ নামটো লুকাই ৰাখি আজি আমি তেওঁক "অমুক" বুলিয়েই বৃত্তান্তত উল্লেখ কৰি যাম।

সেই দিনা গধূলি মই হাতমুখ ধুই চিৰুণটো হৈ আমাৰ 'ক্লাবলৈ' যাবলৈ ওলাইছোঁ, এনেতে অমুকা হেলাই হেপাই আহি মোৰ আগত ওলাল। তেওঁ মোক সুধিলে—"আপুনি কবখালৈ যাবলৈ ওলাইছে-নেকি?"

মই কলোঁ— "এৰা ক্লাবলৈ। কিন্তু আপোনাৰ কিবা কথা আছে যদি, বহিমেই। নগলেও হব। ঘৰত বহি থাকি আমনি লাগিলে ক্লাবৰ ফালে যাওঁ। তাত কামৰ ভিতৰত তাচ পিটা—ব্ৰিজ খেলা।"

মোৰ উত্তৰ শুনি, মই আগবঢ়াই দিয়া চকিখনতে তেওঁ বহিল। বহিয়েই ইফালে সিফালে চাবলৈ ধৰিলে। মই কলোঁ—"ইয়াত কোনো নাই, আপুনি নিৰ্ভয়ে কৈ যাওক।"

তেওঁ আৰম্ভ কৰিলে, "বন্ধু আজি মোৰ এৰ দুখৰ কথা এটা আপোনাক কবলৈ আহিছোঁ। আজি পুৱা ৯ মান বজাত আমাৰ ঘৰৰ বৈণীয়ে মোৰ ওপৰত [illegible] কৰি ওলোপ পাতি আপোনাৰ ঘৰলৈ আহি গ'ল। [illegible] সেই ক'ণা কুকুৰটো। সেইটোৱেই [illegible] হ'ল। [illegible] বৈয়েই মোৰে নৈতে [illegible] [illegible]। তেওঁ [illegible] [illegible] [illegible]

তেওঁৰ বাপেকে কুকুৰ ভাল পায়, মাকে কুকুৰ ভাল পায়, ককায়েকে কুকুৰ ভাল পায় আৰু সেইখন ঘৰত নাপায়নো বোলা কৰ নোৱাৰো। সেইখন ঘৰত মানুহৰ দিনে-ৰাতিয়ে কুকুৰৰ সৈতে হলিগলি। মই হলো কুকুৰ বিৰোধীৰ ঘৰৰ। মোৰ বোপাককাৰ দিনতো কোনেও কুকুৰ পোহা নাছিল, আজিও নোপোহে। আজিও আমাৰ আগৰ ঘৰত কোনোবাই কুকুৰ ছুলে, সি গা-ধোৱা নিয়ম আছে। এই খিনিতে মোৰ শহুৰৰ জীয়েকৰ সৈতে মোৰ ডাঙৰ অমিল। কুকুৰৰ বিষয়টো লৈয়েই আজিলৈকে তেওঁৰে সৈতে মোৰ যোৰা নাছিল। মই কি কৰিম? সৰুৰে পৰা কুকুৰৰ বিৰুদ্ধে মোৰ মনত এটা বদ্ধমূল সংস্কাৰ দকৈ বহি আছে। কুকুৰ ছুব নাপায়, কুকুৰক লাই দিব নাপায়, কুকুৰ ছুলে গা ধুব লাগে। সিজনীৰ সংস্কাৰটো ইয়াৰ একেবাৰেই ওলোটা। তেওঁ কুকুৰক মৰম কৰিব, কোলাত লব, গা ধুৱাই দিব, তাৰ গাৰ ওকণী বাছি দিব, তাক লগত লৈ ফুৰিব, এনেকুৱা অলেখ কথা। বাপেকৰ ঘৰৰপৰা সাহচেবেকৰ আগতে সেই কন্দা কুকুৰ পোৱালিটো আনি তেওঁ একানপতীয়াকৈ তাক তুলি-তালি ডাঙৰ কৰিবলৈ লাগি গৈছে। কুকুৰৰ ওপৰত তেওঁৰ আদৰৰ ওৰা দেখিলে মোৰ তিৰি কঁপে জ্বৰ উঠে। সেহত মই ভ্ৰম খকিবলৈ ধৰোঁ। একো একোবাৰ নকৈ থাকিব নোৱাৰোঁ যে মই তোমাৰ কুকুৰ হোৱাহেঁতেন বৰ্ত্তি গলোহেঁতেন। কলীয়াই তোমাৰ যিখিনি মৰম পাইছে, তাৰ দহ ভাগৰ এভাগো যদি এই দুৰ্ভাগ্যপলীয়াই পালেহেঁতেন তেন্তে তাৰ জীৱন সাৰ্থক হ'লহেঁতেন। অৱশ্যে এইখিনিতে আপোনাক বিশ্বাসতে কওঁ যে, কুকুৰৰ বিষয়ৰ বাহিৰে আন সকলো বিষয়তে তেওঁৰ মৰম মই নথৈ পাই আহিছোঁ। মোৰ নিমিত্তে তেওঁ মৰিব পাৰে বুলিলেও হয়। এইবাৰ কথা মই সৈ নাকাঢ়িলে মোক পাপে ছুব। কিন্তু কুকুৰলৈ তেওঁৰ মৰমৰ জোখটোত মোৰ চকু পৰিলেই মই সেইবোৰ পাহৰি যাওঁ। মোৰ মনত খেলায়, তেওঁৰ কুকুৰটোৰ আগত মই কোন কটা! সচাঁকৈয়ে মোৰ মনৰ কথা আপোনাক ভাঙি কওঁ, বন্ধু, কুকুৰটোৰ ওপৰত হোৱা মোৰ হিংসাই মোক খুলি খুলি খায়। এইবাৰেই সামান্য কথাতে দুইবো দিনৌ খনে খনে বল লাগে। আজি পুৱা থকা খুন্দাৰ জোখ সবহলৈ চৰিছিল। কুকুৰটোক বাতি তেওঁ আমাৰ শোৱনি ঘৰৰ মুখতে বান্ধি থৈ শোৱে। ৰাতি সি যোনো কোনো দিনা ঠাইখন লেতেৰা কৰি থয়। তাৰ উপৰি ওচৰৰ গছৰ ডালত বাদুলি এটা উৰি আহি পৰিলেও, তাৰ ভৌ-ভৌৱনিত মোৰ কাণ কাটি যায়। তেওঁ হলে এনেবোৰ কাৰ্য্যত আলোঁচাহ নেদেখে। তেওঁ কয়, কুকুৰটো মানুহ নহয় যে তাৰ বাহিৰলৈ যাবলগীয়া হলে সি হাতত লোটাটো লৈ সদাচাৰ কৰি শুচি হৈ আহিবগৈ। আজিৰ পুৱাৰ ঘটনাৰ ভবিও একেকুৱাই। দুইবো উপবাস-উৰখনিত দুয়ো লেকাম ঢিলাই দি গৈ আছিলোঁ। ফলত তেওঁৰ দুৰ্যোৰ অভিমান আৰু পিতৃগৃহ প্ৰয়াণ। তেওঁ একেবাৰেই এচকুৱা হৈ পৰিছিল। এই কুকুৰটোক ডাবি-ডুখা দিলেই, তেওঁ কৈছিল, "কুকুৰটো মই আনিছো দেখি তাৰ ওপৰত আপোনাৰ ইমান হিংসা।" মই কওঁ "সেইটো নহয়। সি ঘৰ ঘিণ্-লগা হৈ পৰিছে দেখিছে।"

আজি মোৰ ভাতপানী এগাল খোৱাত যে কি আলৈ বিলৈ হৈছে, তাক মই আৰু কি কম। ঘৰৰ ঘৈণী নথকা দেখি বান্ধনি বামুণৰ লৰাটোও চতুৰ্ভুজ হৈ উঠিল। সি মোৰ ভাত এমুঠি বান্ধি দিবলৈ গৈ, ইবাই বোলে চাউল নাই, সিবাই বোলে মাছ নাই, খৰি নাই, সি কিহেৰে ভাত বান্ধিব? মোৰ খং উঠি তাক কলোঁ 'তোৰ মূৰটো আছেনে নাই? আছে যদি তাকেই বান্ধি দে।' সি ভোৰ্ভোৰাই বহি থকা দেখি, মই নগুৱাটোৰ হাতত কপ এটকা দি বজাৰ কৰি তাৰ কৰ্ম্মচাৰী বস্তবোৰ আনি দিবলৈ পঠিয়াই দিলোঁ। যেনি দুপৰত নগুৱাটো বজাৰৰ পৰা উভতিল। ইমান বেলি কিয় কৰিলি বুলি সুধিলত সি কলে, বজাৰৰ কাষত বান্দৰ নাচ হৈছিল দেখি দোকানী পোহাৰীবোৰে উঠি আহি বান্দৰ নাচ চাই থাকি, তাক বস্তু দিয়াত পলম কৰিলে। মই যোলোঁ "ঠিক কৈছ, সিহঁতে নিজ নিজ দোকান পোহাৰ এৰি বান্দৰ নাচ চাইছিলহি আৰু তই নাচৰ ফালে চকু মুদি আছিলি। বুজিলোঁ আৰু কব নেলাগে।" তাৰ পিছত সুধিলোঁ, কি কি আনিছ কচোঁন? সি কলে "মাছ নাপাই হাঁহ কণী এটা আনিলো, আৰু অমুকটো নাপালোঁ। তমুকটো নাপালোঁ সেইবোৰৰ সলনি এইবোৰ আনিলোঁ" বুলি এনে গোটাচেৰেক বস্তু দেখুৱালে যিবোৰ সেই সাজলৈ একেবাৰে অনাগতীয়া। মই মোৰ কপালকে দুষি তাক একো নকৈ মনে মনে থাকিলোঁ। কিন্তু যেতিয়া তাৰ পিছত সি কলে যে তাক দিয়া কপ টকা চুকাল, সেই দেখি তাৰ উপৰি সি সিকি এটাৰ বস্তু দোকানীৰ পৰা ধাৰে হে আনিছে, তেতিয়া মোৰ খঙে মূৰৰ চুলি পালেগৈ। চন্ডালিৰ নোৰাবি তাৰ গালত কাণতলীয়া চৰ এটা মাৰি দিলো। চৰ খাই, "মই নাথাকোঁ" বুলি সি ওলাই গুচি গল। দুইবাৰ বজাত বামুণৰ লৰাটোৱে এগাল ভাত খাবলৈ আনি দিলে। ভাত আধাকুটা, আলু আধাগিজা, আঞ্জাত নাই লোণ, যদিও পিটিকাত দি খাবলৈ তিনিগুণ লোণ পাতৰ কাষতে আছিল, কিন্তু পিটিকা-জিটিকা হলে একো নাছিল। সদায় মোৰ ভাত বন্ধা বামুণৰ লৰাটোৱে আজিৰ বন্ধন কাৰ্য্য এনেকৈ সমাপন কৰিলে, দেখি ঠিক মোৰ মনত ভেবাইছিল যেন সি ওপজাতে পৰা আদেশে কেতিয়াও আমাৰ কাষলৈ আহা নাছিল আৰু যেতিয়ালৈকে হাত দিব পাৰিছিল। এইবোৰ মোৰ দুৰ্গতিৰ কথা আপোনাক কলোঁ বন্ধু।"

তেওঁৰ কথিত বৃত্তান্ত শুনি মই অলপ পৰ টভক্ মাৰি থাকি সুধিলোঁ, "আপোনাক যাৱজ্জীৱনলৈ ঘৰত সুখ-শান্তি লাগে নে অশান্তিৰ ম'হ-চেৰেপা লাগে?"

তেওঁ কলে—"নিশ্চয় মোক সুখ-শান্তি লাগে। নহলে আপোনাক বুধি সুধিবলৈ আহিলোঁহেতেন কেলৈ"?

মই কলোঁ—"তেন্তে শুনক। আজিৰ এই মুহূৰ্ত্তৰে পৰা আপোনাৰ ভাব, গঢ়, গতি আৰু আচৰণৰ আমূল পৰিবৰ্ত্তন আনিব লাগিব। শাস্ত্ৰত কৈছে

দ্বিতীয়ে পুৰুষে হৈব এক মতি।
তেহে সিজিব হৰিত ভকতি॥

বিয়াৰ বভাৰ তলত হোমৰ কাষত আপুনি মতা মন্ত্ৰৰ মনত আছেনে?—

তবাস্তু হৃদয়ং মম।
মমাস্তু হৃদয়ং তব॥

এতেকে আপুনি আপোনাৰ মনত থকা উভহাবোৰ খঁহি পিহি চাঁচি-মাজি, মাৰি লৈ আজিৰ পৰা আপোনাৰ মনটোক আপোনাৰ ঘৈণীয়েকৰ মনেৰে সৈতে সুৰগা দি জোৰাই আনি লওক। আপুনি তেনে কৰিলে, আপোনাৰ ঘৈণীয়েকেও তেনেকুৱা কৰিবলৈ বাধ্য হব নিশ্চয়, কোনো কথাতে আৰু মঠ ধৰি নাথাকে। মানুহৰ স্বভাৱেই হৈছে—দিলে দিয়ে; নিদিলে নিদিয়ে। আপুনি সৰু কথাবোৰত একেবাৰেই আওকাণ কৰি চলিব লাগিব। সৰু কথাকে লৈ দুকুটি পাকটি থাকিলে তাৰেপৰা বলে নোৱাৰা ব্ৰহ্মদৈত্যৰ উত্তৰ হয়। ফিৰিঙটিৰ পৰা খাণ্ডৱদাহ বুলি কয়। ধোঁৱাৰ তাৰ এটাৰ পৰা সুৰুঙি পৰা গজাল এটা নোৱাৰাৰ বাবেই শত্ৰুৰে সৈতে লগা এখন ডাঙৰ যুদ্ধত ইংৰাজৰ পৰাজয় হোৱা কথাটো আপুনি নিশ্চয় কিতাপত পঢ়িছে। আপুনি মোৰ বন্ধু। আপুনিও মোক বন্ধু বুলি ভাবে। আপোনাৰ বন্ধুৰ এটা পৰামৰ্শ আপুনি গ্ৰহণ কৰিব লাগিব। আজিৰ পৰা আপুনি কুকুৰ ভাল পাব লাগিব। মোৰ কথাটো শুনি আপুনি জিকাৰ খাই উঠিছে। নুঠিব। উঠিলে নচলিব। অকল ভাল পোৱাই নহয়, আপোনাৰ আজন্ম সঞ্চিত সংস্কাৰবোৰ বিসৰ্জ্জন দিব লাগিব। সংস্কাৰ শব্দটো ব্যৱহাৰ কৰি মই ভুলহে কৰিছোঁ,—কোৱা উচিত আছিল, কুসংস্কাৰবোৰ। মনু, পৰাশৰ প্ৰভৃতি স্মৃতিকাৰ সকলে যি কৈছে সেইবোৰৰ এটাইবোৰলৈ ধৰকৈ কাণ নিদিব। সেইবোৰ যি যি কালৰ ব্যৱস্থা, সেই সেই কাল এতিয়া নাই। কাল পৰিবৰ্ত্তনশীল, সংসাৰো পৰিবৰ্ত্তনশীল। গীতাত 'যদা যদাহি' শ্লোকটোত হিন্দুৰ বিটো ধাৰণা লিখিত আছে, সেইটো বিজ্ঞান সম্মত, কাৰণ কালৰ পৰিবৰ্ত্তনৰ লগতে [illegible] পৰিবৰ্ত্তন ঘটে, আৰু সেই পৰিবৰ্ত্তন [illegible]

নিয়ন্ত্ৰিত কৰিবলৈ নিয়ন্তাৰ উত্তৰ হবই লাগিব। ঈশ্বৰৰ অনন্ত সৃষ্টিত Last word অৰ্থাৎ খাতাংকৈ শেষ কথা, আৰু-পেট-মচা শেষ উত্তৰ Unscientific অৰ্থাৎ বিজ্ঞান সংমত নহয়। এই সংসাৰৰ যত শুচি অশুচি, স্পৃশ্য অস্পৃশ্যৰ বিভিন্নতা মানিছানৰ ওপৰত। অদিৰল বস্তুক ধুই পখালি ললেই শুচি হয়। মানুহৰ পুৰীষতকৈ মানুহৰ মানত অস্পৃশ্য বস্তু আৰু কিবা আছেনে? তাকো নিদিনো আপুনি নিজ হাতে পৰিষ্কাৰ কৰি নিজক শুচি কৰি লয়। পৃথিৱীত সকলো পদাৰ্থই ঈশ্বৰৰ সৃষ্ট আৰু ঈশ্বৰ সকলোৰে জনক আৰু পিতৃ। প্ৰাচীনতকৈয়ো প্ৰাচীন এই কথাটো সদায় মনত ৰাখিব। নিগূঢ় ধৰ্ম্মতত্ত্ব থকা শাস্ত্ৰবোৰৰ সাৰ উদ্দেশ্য কি? সমস্ত প্ৰাণীতে ঈশ্বৰ বিষ্ণু প্ৰৱেশ কৰি আছে। সেই দেখি সকলো প্ৰাণীকে নিজৰ নিচিনা দেখিব লাগে।

ব্যাপক বিষ্ণু প্ৰভু চক্ৰপাণি।
সবাতো আছন্ত জগত স্বামী॥

কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানি জানি সবাহাকে কৰিবা প্ৰণাম॥

ভগৱন্তৰ নিজ মুখৰ বাক্য:—

সমস্ত ভূততে ব্যাপি আছো মই হৰি।
সবাৰো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি॥

তেন্তে নো কুকুৰটো কেনেকৈ অস্পৃশ্য হ'ল? তাক ধুই পখালি চাফ-চিকুণ কৰি ললেই সি পবিত্ৰ; আৰু সেই কাৰ্য্য আপোনাৰ ঘৈণীয়েকে নিজহাতে সদায় কৰি আছেই। পুৰণি ভাৱৰ মানুহৰ ভাব আৰু আচৰণ-প্ৰণালীৰ নতুন ভাৱৰ হাতত ক্ৰমে পৰিবৰ্ত্তন ঘটিছে। এতিয়া পুৰণি খুঁটাবোৰতে আপুনি আউজি থাকিলে খুঁটাবোৰৰ লগতে আপুনিও পৰিব, আৰু নতুন ধৰণৰ সোঁতে আপোনাক কৰবালৈ উটাই লৈ গৈ শেহত শিলত আচাৰি মাৰিব। সকলো বিষয়তে দিয়া নিয়া কৰি মিহি মাহি কৰি নচলিলে, মানুহৰ ঘৰসংসাৰ অশান্তিৰ বাহ হয়। এইদেখি আপুনি এই মুহূৰ্ত্তৰ পৰা আপোনাৰ আগৰ ভাৱৰ গাঠিবোৰ মুকলি কৰি লৈ আপোনাৰ গৃহিণীৰ ভাৱেৰে সৈতে মিলাই ন-কৈ গাঠি বান্ধক।

"শুনক, আপোনাক মই আৰু এটা বুধি দিওঁ। মোৰ এহাল কুকুৰ আছে, আপুনি দেখিছে। কুকুৰ জনীৰ পোৱালী দুটা হবৰ আজি দুমাহ হ'ল। আপুনি উঠি গৈ চাই আহক গৈ। মোৰ গো উঠা-ঘৰৰ আগতে আছে। কুকুৰহাল অতি উৎকৃষ্ট জাতৰ। মই অনেক প্ৰযত্ন কৰি তাৰেনান বন্ধু আনিব পাৰিছিলোঁ। দুয়োটা Pedigree dog পুৰুষে পুৰুষে পৰা জানি আৰু [illegible]

কুকুৰ পোৱালী দুটাৰ এটা মই আপোনাক দিলোঁ। যিটোতে আপোনাৰ মন যায় তাকে লওক। তাক এতিয়াই মোৰ লগুৱাই লৈ গৈ আপোনাৰ ঘৰত দি আহিবগৈ। আপোনাৰ গৃহিণীৰ কুকুৰটো মতা নে মাইকী? মতা যদি মোৰ মাইকী পোৱালীটো লৈ যাওক, দুয়োটা এযোৰ হ'ব। কতই মোৰ কুকুৰ পোৱালী দুটাৰ নিমিত্তে ধৰি আছে, মই নিদিওঁ। আপোনাক এটা দিলোঁ। আপোনাৰ আহকাল দূৰ কৰাটো মোৰ কৰ্ত্তব্য বুলি ভাবোঁ। আপোনাৰ পূৰ্ব্ব সংস্কাৰ পৰিত্যাগ কৰি কুকুৰ পোৱালীটো ঘৰলৈ লৈ গৈ আপুনি নিজ হাতে তাক যত্ন কৰি পালক। আৰু এটা বুধি দিওঁ—কাইলৈ পুৱাই আপুনি আপোনাৰ বামুণৰ লৰাটোক আপোনাৰ শহুৰেকৰ ঘৰলৈ পঠিয়াই দিব। তাক ভালকৈ শিকাই দিব, যেন তাক আপুনি পঠিওৱা নাই, সি নিজেই আপোনাৰ গৃহিণীৰ খবৰ কৰিবলৈ গৈছে। তাক দেখিলেই নিশ্চয় আপোনাৰ গৃহিণীয়ে ব্যস্ত ভাবে আপোনাৰ আৰু ঘৰৰ কথা সুধিব। সি কব 'আই, আৰু কি কম, কালিৰ পৰা দেউতাৰ ভাত-পানী এগাল খোৱাত বৰ দুখ হৈছে। তেখেতে যিহকে পাইছে তাকে খাইছে। সেইবুলি মনত যে আহকাল ভাবিছে এনেও নহয়। কালি গধূলি কৰবাৰ পৰা কুকুৰ পোৱালি এটা আনিছে। শুনি আচৰিত মানিব যে দেউতাই নিজ হাতে তাক ভাত খুৱাইছে, তাৰ গা ধুৱাই চাফ-চিকুণ কৰিছে আৰু নিজৰ কোলাৰ পৰা তাক নমোৱাই হৈছে। ভিতৰে ভিতৰে কুকুৰলৈ তেখেতৰ ইমান টান আছিল, আমি আগেয়ে নাজানিছিলো। আপোনাৰ কুকুৰটো নেদেখি থাকিব নোৱাৰি, কৰবাৰ পৰা এটা কুকুৰ পোৱালি দেউতাই লৈ আহিলগৈ। আই, কুকুৰ পোৱালিটো কিন্তু এনে ৰূপহ দেখিবলৈ, কি কম। একেবাৰেই বিলাতী, ভাল জাতৰ কুকুৰ। আৰু এটা কথা আই, আপোনাক নকওঁ বুলিয়েই ভাবিছিলোঁ কিন্তু মুখত ওলাই আহিছে বুলি কওঁ। দেউতাইতো আগেয়ে তেনে কাম কৰা নাছিল। সেইদেখি নজনাৰ বাবেই হবলা, কুকুৰ পোৱালিটোক ভাত খুৱাওঁতে সি কিবা দুখ পালে হবলা, দেউতাৰ আঙুলি এটাত কামুৰি দিলে। তেজ ওলোৱা দেখি মই গৈ তাত চেঁচা পানী ঢালি দি এডোখৰ কাপোৰ মেৰাই দিলোঁ। টিংছৰ আইডিন এটোপা আনি তাত ঢালি দিবলৈ দেউতাই মোক কৈছিল কিন্তু ঘৰৰ সেই চিচাটো ক'ত আছে মই বিচাৰি নাপালোঁ।

"আপুনি আপোনাৰ আঙুলি এটা কটাকাণি এডোখৰ কাইলৈ মেৰাই থ'ব। মোৰ বুধি মতে কাম কৰি কি ফল পায় এবাৰ মোক কৈ যাবহি।"

মোৰ কথাত মান্তি হৈ অনুকা উঠি গ'ল। পিছদিনা গধূলি আকৌ এবাৰ তেওঁ মোৰ ওচৰলৈ আহি মোৰ কাণে কাণে কৈ গল যে, "আপোনাৰ বুধিটোৱে বৰ গুণ সাধিলে। আমাৰ ঘৰৰ মৈণীজনা বামুণৰ লৰাটোৱে সৈতে উধাতু খাই অহাদি আহি ঘৰ পালে। তাৰ পিচত মোৰ আঙুলিটোৰ ওপৰত চিকিৎসা চলিল যদিও তাত কোনো ঘাৰ চিন নাছিল। আপুনি দিয়া ন কুকুৰ পোৱালিটো তেওঁৰ মূৰত থলে ওকণীয়ে খায়, মাটিত থলে পকৱাই খায়, হৈছে। তেওঁৰ কুকুৰটোৱে সৈতে এইটো হেন্দো পেৰ মোৰ'হ'ব।"

* *

এই গল্পটো লেখি লৈ আকৌ মোৰ "কৃত্তিক" বন্ধুৰ ওচৰ চাপিলোঁ। ভাবিলোঁ, এইবাৰ তেওঁ কি বোলে চাওঁ। তেওঁ গল্পটো পঢ়ি কলে—

"অতিয়া হৈছে। ইয়াকে বোলে গল্প। 'প্লট, ফাৰ্ট, পিক্চাৰ' তিনিওটা ইয়াত আছে। সমাজ-নীতি আৰু ধৰ্ম্ম নীতিৰ তো আৰু কথাই নাই। দুৰতে দুওঁ গল্পটো কেপিটেল"।

* *

মই ভাবিলোঁ, "কৃত্তিক" বন্ধুৰ মত পালোঁৱেই। এতিয়া মোৰ দুখুখন সাত্ত্ব তৰুণ ভাট হল। বন্ধুৰৰ বৰবৰুৱাক এবাৰ দেখুৱাওঁচোন, তেওঁনো কি বোলে চাওঁ। আনদেো বন্ধুবৰৰ "কৃত্তিক" বন্ধুৰ মতটো নেদেখুৱাওঁ।

বৰবৰুৱাৰ মত

"শ্ৰদ্ধাস্পদেষু,

পত্ৰ লিখাৰ মোজৰকলাপেষু।

তোমাৰ গল্পত কুকুৰ পোৱালী কামৰ কেঁউ কেউ॥ Sense of humour এ তোমাৰ কুটা ছিঙি এৰিলে দেখিলা। তোমাৰ 'মধুকাই' তোমাক তেওঁৰ দুকথা কথা এবাৰ বিদ্যালয়ত কৈছিলহি, তুমি তাকে গল্প কৰি মোলপিটি দিলা। এইটো কোন দেশৰ ধৰ্ম্মতা? তুমি তেওঁৰ সাদৰৈ দুৰাই তেওঁক অনুকা বুলিলাইয়া, কিন্তু সেই অনুকাজনৰ কোন্ মিচিদিশ? [illegible] হাত কুকুৰলৈ দিলো আমুকা অনুকাজনৰ [illegible] কথা, তেওঁৰ [illegible] অনুগ্ৰহত এই জিলাৰ কাকো [illegible] নাই। তোমাৰ সেইভু কথা পঢ়িলে [illegible] তোমাৰ পেটৰ ভিতৰত [illegible] মই সকেল [illegible] অনুবা-[illegible] [illegible]

এক দেশত এজন ৰজা আছিল। ঈশ্বৰৰ ইচ্ছাত কেনেবাকৈ ৰজাৰ মূৰত একাঙুলমান দীঘল হৈ দুটা শিং গজি ওলাল। ৰজাই লাজতে সেই কথা কাকো নকৈ, মূৰৰ চুলিবোৰ জপৰাকৈ ৰাখি শিং দুটা ঢাকি চলিছিল। পিছত বেছিকৈ জপৰা হৈ আহিলত পাত্ৰমন্ত্ৰীসকলৰ খেচ্‌খেচনিত ৰজাই এদিন এটা নাপিত মতাই আনি চুলিবোৰৰ আগবোৰ অলপকৈ কটোৱালে, যাতে শিং দুটা ওলাই নপৰে। কিন্তু ধূৰ্ত্ত নাপিতে চুলি কাটোতে দেখিলে শিং দুটা। ৰজাই সেইটো বুজিব পাৰি, কাকো নকবলৈ নাপিতক দঢ়াই দঢ়াই হুকুম দিলে। সি নকওঁ বুলি ৰজাৰ ওচৰত আঁঠু লৈ কৈ গুচি আহিল। কিন্তু তাৰ পেটত সেইটো খবৰ নহল জানিবা ঢেঁকা দৈ পাখীৰৰ পানীৰ ছটা কোমল চাউলহে হ'ল। দিনে ৰাতিয়ে খবৰটোৱে তাৰ পেটত ধান বানিবলৈ ধৰিলে। খবৰটো উলিয়াই দিলেও সি ৰজাৰ দণ্ডত মৰে, পেটত ৰাখিলেও সি উৎপাতত মৰে। সি নিৰুপায় হৈ এদিন দুপৰীয়া নিজান কালত এটা পাটনাদৰ কাষলৈ গৈ, পাৰতে বহি, আঁঠুকাঢ়ি নাদৰ ভিতৰলৈ তাৰ মূৰটো অলপ ওলোমাই দি কলে : 'শুনিছানে নাদ ককাই। আমাৰ ৰজাৰ মূৰত দুটা শিং।' ৰাতৰিটো উলিয়াই দি সি সকাহ পাই ঘৰলৈ গুচি আহিল। দিনচেৰেকৰ পিছতে, পাটনাদৰ গৰাকীয়ে নাদটোৰ পৰা বোকা তুলি তাক পৰিষ্কাৰ কৰোঁতে, বুৰ গৈ তলত পৰি থকা কাঠ এডোখৰ পাই, তুলি আনি পাৰত থলে। কাঠডোখৰ সুকাঠী। এটা "চাৰেংদাৰ" মানুহে নাদৰ পৰা পানী আনিবলৈ যাওঁতে ভাল কাঠডোখৰ তাতে পৰি থকা দেখি লৈ আহি ভাল বাটৈ এটাক দি সেই কাঠ ডোখৰেৰে তাক চাৰেং এখন সাজি দিবলৈ খৰকৈ ধৰিলে। বাটৈয়ে তাৰ কথা এৰাব নোৱাৰি, দিলে তাক চাৰেং এখন সাজি। চাৰেংদাৰটো নাচগানৰ ওজা। সি এজনী বাইজী অৰ্থাৎ নটীক ভালকৈ নাচগান শিকাই লৈ এখন ৰাজহুৱা সভাত তুলি দি নিজে চাৰেংখন লৈ পাছত থিয় দি বজাবলৈ ধৰিলে। সি ৰেপ মাৰিলতে চাৰেঙত বাজি উঠিল— 'ৰজাৰ দুটা শিং।' যিমান ঘনাই সি ৰেপ মাৰে, সিমান ঘনাই চাৰেঙে মাতে 'ৰজাৰ দুটা শিং। ৰজাৰ দুটা শিং।' সি যি সুৰকে বজাবলৈ যায়, সেই সুৰেৰে সৈতে মিলি ওলায়— 'ৰজাৰ দুটা শিং, ৰজাৰ দুটা শিং শি—ইং—ইং—ইং—ইং।' বাইজীজনীয়েও শেহত নিৰুপায় হৈ চাৰেঙেৰে সৈতে সুৰ মিলাই গাবলৈ ধৰিলে, 'ৰজাৰ দুটা শিং।' বাইজী মাত্ৰৰে দস্তুৰ, যে একেষাৰ কথাকে পকাছুৱাৰ গাই, হাতেৰে পকাছটা ভঙ্গী কৰি দেখুৱায়। তাই ৰজাৰ আও ধৰি দুহাতৰ দুটা আঙুলি মূৰৰ ওপৰত থিয় কৰি বেড়িয়া ভঙ্গিৰ ওপৰত ভঙ্গি দি দুটা শিং দেখুৱাবলৈ ধৰিলে, সভাসদসকলৰ হাঁহিৰ খিৰ্কিখিত সভাৰ খলক লাগিল। পিচত সকলোৱে খুচৰি খুচৰি গম ধৰি ধৰি কথাষাৰৰ পুংটো খিচাৰি উলিয়ালে আৰু দেশত ৰাষ্ট্ৰ হৈ গ'ল, যে সেই দেশৰ ৰজাৰ মূৰত দুটা শিং গজিছে।

কুকুৰৰ সপক্ষে দিয়া তোমাৰ বক্তৃতাটোও পঢ়িলোঁ। ভাৰতবৰ্ষ শ্ৰুতি স্মৃতিৰ শাসনৰ তলতীয়া দেশ। মনু পৰাশৰৰ আইনৰ ওপৰত জবৰ্দস্তি নচলে। ৰজাৰ আইন—ভাঙিলে দণ্ড হয় কলিয়াপানী পৰ্য্যন্ত। সমাজৰ আইন ভাঙিলে দণ্ড হয়—হোকা পানী পৰ্য্যন্ত। 'বন্দে মাতৰং' মাতিলেও যেনেকৈ প্ৰথমটোৰ পৰা নিস্তাৰ নাই, ভাগৱতৰ পদ মাতিলেও সেইদৰে দ্বিতীয়টোৰ পৰা নিস্তাৰ নাই। এতেকে এইবোৰ ভাবি চলিলে মঙ্গল।

গল্পটো নছপাই মোলৈ পঠিয়াই দিব পাৰা। পঠিয়ালে মই তাক মোৰ কাকতৰ টোপোলাৰ তলিত পেলাই থম। ইতি—

"কৃপাবৰ" *

(বাঁহী—২৫ শ বছৰ, ৮ম সংখ্যা ॥ ১৮৫৩ শক)

মাৰ্জ্জাৰী

তেতিয়া মই কলিকতাৰ ইংৰাজ সদাগৰ বাৰ্ড কোম্পানীৰ কামত। কোম্পানীৰ কোনো কাৰ্য্যৰ উপলক্ষে মই এবাৰ ৰাইপুৰলৈ গৈছিলোঁ। ৰাইপুৰ চেণ্ট্ৰেল প্ৰভিন্সৰ ভিতৰৰ এখন চহৰ। তাত মোৰ বিশেষৰূপে কোনো চিনাজনা মানুহ নথকাত, ৰেলৰ পৰা নামিয়েই পোনবাটে ডাক-বঙলালৈ গলোঁ। মোৰ লগত মোৰ পুৰণি লগুৱা ভজহৰি। সি মোৰ অনেক বছৰীয়া লগুৱা। কলিকতাৰ পৰা মই সম্বলপুৰলৈ আহোঁতে তাক লগত লৈ আহিছিলোঁ; ফকৰাত কোৱাৰ দৰে ভজহৰি মোৰ পক্ষে 'বাবাজীকে বাবাজী, আৰু তৰ্কাৰীকে তৰ্কাৰী' হৈ পৰিছিল। জোতা বুৰুছ কৰাৰে পৰা ভাত ৰন্ধালৈকে ভজহৰিৰ হাতত। তাৰে সৈতে মই তাক বঙলাত উঠিলোঁগৈ। সেই ডোখৰ কালত, 'ৰাৰটা মাহৰ তেৰটা অগ্ৰ'ৰ এটা নহয় এটা মোৰ লগৰ পৰা নুগুচিছিল। সৈপত্ত বাঙ্গনীয়ে জবৰ্দস্তকৈ বন্ধা মাছ-মঙহৰ খানা মোৰ গাত নুভজাত পৰিছিল দেখি, দুখীৰ দুখী অৱতাৰে ভজাৰ হতুৱাই 'ইৰ্ক্‌বিক্ কুকাৰতে' ভাত এমুঠি, মাহৰ আঞ্জা, আৰু আলুভাটি দুটা সিজোৱাই খাই মই জীৱনযাত্ৰা নিৰ্ব্বাহ কৰিব লগীয়াত পৰিছিলোঁ। ৰাইপুৰ বঙলাতো এইদৰে মই দুদিন আছিলোঁ। তৃতীয় দিনৰ দিনা মই, ভজাক মোৰ আহাৰ ৰান্ধিবলৈ কৈ, পুনাই মোৰ কাৰ্য্যোপলক্ষে ওলাই গলোঁ।

দুপৰীয়া খাবটোমান ধৰাত উভতি আহি দেখিলোঁ, যে ভদ্রস্থিৰ সুপৰিবাৰে সুন্দৰ কুন্দন একোকে নকৰি, ডাকবঙলাৰ বাৰান্দাতে আনন্দ চিন্তাকৈ বহি আছে ; আৰু তাৰ ওচৰতে, খোঁটানিৰ ভিতৰত থকা মোৰ বিচনা-পত্ৰ 'ট্ৰাংক' ইত্যাদি সিঁচৰতি হৈ পৰি আছে। মোৰ বস্তুবোৰ খোঁটানিৰ পৰা উলিয়াই তেনেকুৱা কোনে কৰিলে বুলি ভজাক সোধাত, সি কলে, গোৰা চাহাব এটাই। গোৰাটো হেনো ডাক বঙলাত থাকিবলৈ আহিছিল ; সিয়েই মোৰ বস্তুবোৰ খোঁটানিটোৰ ভিতৰৰ পৰা টানি উলিয়াই তেনেকৈ লটি ঘটি কৰি থৈ গ'ল। মই কাৰণটো কি বুলি সুধিলত, ভজাই কলে, "চাহাবটো আহিয়েই আমাৰ খোঁটালিটোত সোমাই আমাৰ বস্তুবোৰ মোক উলিয়াই দিবলৈ কলে। মই কলোঁ—'মোৰ চাহাব বাহিৰলৈ ওলাই গৈছে ; উভতি আহিলে মোক যেনে হুকুম দিয়ে তেনে কৰিম। মোৰ কথা শুনি চাহাবটোৱে উগ্রমূৰ্ত্তি ধৰি কলে—'অভি নিকালো'। মই তাৰ কথা নুশুনা দেখি সি নিজেই বস্তুবোৰ টানি টানি বাহিৰলৈ উলিয়াই পেলাই, খোঁটালিটোত তাৰ বস্তুবোৰ থলে ; আৰু বাহিৰতে থকা সৌ আৰাম-চকিখনত বহি চেলেউ হুপিবলৈ ধৰিলে। দহ মিনিটমান সি সেইদৰে বহি থাকি, কি ভাবি কব নোৱাৰোঁ, হঠাৎ ঘপকৰে উঠি ঠিকা গাড়ী এখন মাতি আনি তাৰ বস্তুবোৰ তাত ভৰাই লৈ গুচি গল।"

ভজাৰ মুখে এই কথা শুনি মই ডাক-বঙলাৰ চকিদাৰক কি কথা, কি বুজিবা বুলি সুধিলত, চকিদাৰে কলে—'একদম গোৰা চাহাব হুজুৰ। চাহাবকা গোড়া দেখকে হামলোগ নাগিজ্মে নাহি আয়া।' মই কলো, "আচ্ছা কিয়া। তোমাৰা জান বাঁচ গিয়া। আপনা জান বাঁচনেছে বাপ্‌কা নাম।—ও ঠিক জন বুল।'

চকিদাৰটোৱে কলে—'ভুল নাহি হুজুৰ, এ ঠিক বাত হেয়।"

মই বুজিলো, সি 'বুলক' ভুল বুজিলে। যাওক এই বঙলাত আৰু নাথাকোঁ। ভাগ্যে সেই সময়ত মই ইয়াত নাছিলো। থকাহেঁতেন কোনে জানে কি হ'লহেতেঁন। যাওক। কাৰে সৈতে আকৌ কি 'ভক্রাৰ' লাগে, ঠিক নাই। লাভৰ ভিতৰত মোৰ কামত ব্যাঘাত ঘটিব। ইয়াকে ভাবি ভজাক লৰালৰিকৈ যি পাবে বান্ধিবলৈ কলোঁ। বন্ধা হলত, খাই, মই ডাক বঙলাৰ পৰা মোৰ বস্তুবোৰ গাড়ী এখনত তুলি লৈ ৰেল ষ্টেচনৰ 'ৱেইটিং ৰুমলৈ' গুচি আহি সেই পৰ্ব্বৰ সেইখিনিতে ওৰ পেলালোঁ।

একেবাৰেই গধূলি হবলৈ আদঘণ্টামান আছে। মই ষ্টেচনৰ প্লেটফৰ্মতে ভৰি চলাই ফুৰিছোঁ। এবাৰ মোৰ চকুত পৰিল যে অলপ দূৰৰ পৰা মহাৰাষ্ট্ৰীয় ভদ্ৰলোক এজনে মোৰ ফালে কেৰাহি, কেৰাহিকৈ চাব লাগিছে। মানুহজনে তেনেকৈ মোৰ ফালে চোৱা দেখি মোৰ পেটে পেটে অলপ খং উঠিছিল দেই ; তথাপি সেইফালে পোনকৈ চকু নিদি মই আগৰ দৰেই ফুৰিবলৈ ধৰিলোঁ।

এবাৰ ভদ্ৰলোকজনে হঠাৎ চোঁচাৰাবি আহি খপ্‌কৰে মোৰ হাত এখনত ধৰিলে। মই চক্‌খাই গলোঁ। হাতখন ধৰাৰ লগে লগে তেওঁ ইংৰাজীৰে কলে 'মিষ্টাৰ বেজবৰুৱা, আপুনি মোক চিনিছে পৰা নাইনে ?'

মই তেওঁৰ মুখলৈ চাই কলোঁ,—'কতা নাই পৰা দেখোন।'

তেওঁ কলে—'অমুক বছৰৰ অমুক মাহৰ অমুক তাৰিখে আপোনাৰে সৈতে বিলাসপুৰত মোৰ অমুকৰ ঘৰত ইমান চিনা-জনা আৰু আলাপ-পৰিচয় হৈছিল ; আপুনি সেইবোৰ একেবাৰেই পাহৰি পেলালেনেকি ?'

মই কলো—'এবাৰ নহয়, কেইবাবাৰো মই বিলাসপুৰলৈ গৈছিলোঁ ; আপুনি কোৱা সনতো মই তাৰ ওচৰা উচৰি সনতে গৈছিলোঁ সঁচা। সন, তাৰিখবোৰ কিয়, কব নোৱাৰো, মোৰ স্মৃতি মনত নাথাকে। অনুগ্রহকৈ আপোনাৰ নামটো মোক কবনে ?'

তেওঁ কলে— 'মোৰ নাম—।'

'অ আপুনি আমাৰ সেই মিষ্টাৰ' এই বুলি মই জপিয়াই উঠি তেওঁৰ হাতখন জোকাৰিবলৈ ধৰিলোঁ। ইমানকৈ জোকাৰিছিলো যে, তেওঁৰ হাতৰ সৰুগাঠিৰ জোৱা লৰি যাবৰ কথা। মই তেওঁক কলোঁ,-'মোক ক্ষমা কৰিব। মোৰ স্মৰণ শক্তিৰ দুৰৱস্থাৰ কথা আৰু কি কম। আপুনি ৰাইপুৰতে প্রেকটিছ্ কৰে নহয় ?'

তেওঁ কলে,—'হয় কৰোঁ। কিন্তু আপুনি ইয়ালৈ কেতিয়া আহিল ?'

মই কলোঁ—'পৰহি। ডাক বঙলাত আছিলোঁ ; কিন্তু তাত অলপ অসুবিধা হোৱাৰ বাবে ইয়ালৈ গুচি আহিলো। এই ৱেইটিং ৰুমতে আছোঁ। কাইলৈ গুচি যাম।'

তেওঁ উত্তৰ দিলে—'অৰণ্যে যদি মোৰ হাতৰ পৰা উদ্ধাৰ পায়।' এইবুলি তেওঁ মোৰ নওৰাটোৰ নামটো কি সুধি লৈ কো-কো কৰে ৱেইটিং ৰুমৰ ভিতৰলৈ সোমাই গৈ তাক কলে—'তৎক্ষণাৎ তোৰ চাহাবৰ বস্তুবোৰ বান্ধি কুচি ঠিক কৰ। এতিয়াই

ইয়াৰ পৰা যাব লাগিব।' তাক এই হুকুম দিয়েই, ষ্টেছনৰ কাষত থকা গাড়ী খন তেওঁ মাতি আনিলে। মই অবাক হৈ চাই আছোঁ। ভজাই মোৰ অনুমতিলৈ অপেক্ষা কৰি থকা দেখি, মই তাক বস্তবোৰ বান্ধি থবলৈ প্ৰস্তুত হবলৈ কলোঁ। মোৰ 'ডিনাৰ'ৰ নিমিত্তে ভজাই আলুগুটি দুটা আঁঠ ফাল কৰিছিল মাথোন। এনেতে তাৰ আয়োজনৰ ব্যাঘাত ঘটাত সি ক্ষুন্ন হোৱাটো মই লক্ষ্য কৰি তাক কলো, 'সেইবোৰ টিফিন বাস্কেটত ভৰাই ল। ইয়াত আৰু 'হাজাম' কৰিবৰ আৱশ্যক নাই।' ভদ্ৰলোকজনে মোক একেষাৰো কথা কবলৈ নিদি ভজাৰ হতুৱাই বস্তবোৰ গাড়ীত তোলাই দি, মোক মোৰ হাতত ধৰি টানি লৈ গৈ গাড়ীখনৰ ভিতৰত বহুৱাই দি, তেৰেঁা মোৰ কাষতে বহিল। ভজাক তেৰেঁই কচোৱানৰ কাষত বহিবলৈ কৈ, গাড়ীখন চলাই দিবলৈ কচোৱানক হুকুম দিলে। তেওঁৰ বন্ধু ব্যৱহাৰত যদিও তেতিয়া মোৰ কোনো সন্দেহ নাছিল, তথাপি একো একো বাৰ (নিশ্চয় মোৰ মনৰ দুৰ্বলতাৰ বাবে) মনত খেলাইছিল, মোক এই দূৰ বিদেশত বোনোৰা জুৱাচোৰে পালে নেকি? এনেকুৱা ভাব মোৰ মনত দৈবাৎ এবাৰ ওলোৱাৰ নিমিত্তে পিচত মোৰ লাজ লাগিছিল।

তেওঁৰ ঘৰৰ দুৱাৰমুখত গাড়ীখন ৰলগৈ। গাড়ীৰ পৰা নামি মই কচোৱানৰ হাতত গাড়ীৰ কেৰেয়া দিবলৈ যাওঁতে, ভদ্ৰলোকজনে মোৰ হাত-খনত খপ্‌কৰে এনে বলেৰে ধৰিলে যে মই হাতত টান পাই গলোঁ। তেওঁ মোক কলে—'গাড়ীখনতো আপুনি কেৰেয়ালৈ লোৱা নাছিল, মইহে লৈছিলোঁ, আপুনি কেৰেয়া দিব কি বুলি?' এইবুলি কৈ তেওঁ কচোৱানৰ হাতত ৰূপ এটকা দি পেলাই তাক গুচি যাবলৈ কলত সি আশাতীত ৰূপ টকা পাই তৎক্ষনাৎ গাড়ী লৈ গুচি গ'ল।

তেওঁৰ ঘৰটো ৰাজপ্ৰাসাদ বুলিলেই হয়। চকি, মেজ, ঝাৰ লণ্ঠন, ফানুছ, বিজুলীৰ চাকি ইত্যাদিৰে তমকাৰকৈ সজোৱা। ৰাইপুৰত তেওঁ এজন নামজলা উকীল। ওকালতিতো তেওঁৰ বিস্তৰ আয়। মোক দুদিন তেওঁৰ ঘৰত বজাৰ সুখত ৰাখি তৃতীয়দিনা বিদায় দিলে। মই যি কামত গৈছিলোঁ, সেই কামতো তেওঁ মোক বিস্তৰ সহায় কৰিলে। আহিবৰ সময়ত, মই তেওঁক মোৰ সম্বলপুৰৰ ভগা বহাত এদিন ভৰিৰ ধুলি দিবলৈ খবকৈ মতাত, তেওঁ সন্মতি প্ৰকাশ কৰি কলে, যে নিশ্চয় এদিন তেওঁ সম্বলপুৰত ভটংকৰে ওলাবগৈ।

ইয়াৰ এমাহৰ পিছত সঁচাকৈয়ে তেওঁ তেওঁৰ কথা ৰাখি সম্বলপুৰত ওলালহি। মই তেওঁ অহাৰ টেলিগ্ৰাম পাই, তেওঁক ৰেলৰ ষ্টেচনৰ পৰা লৈ আহিলোঁগৈ। মানুহজন বৰ ৰঙিয়াল। তেওঁ দুদিন মোৰ ঘৰত আছিল। তেওঁৰ আনন্দৰ চোঁত খলক লাগি থাকি সেই দুটা দিন মোৰ কোন ফালেদি কলৈ গ'ল তং ধৰিব নোৱাৰিলোঁ। বুজিলোঁ, তেওঁ এনেবোৰ গুণৰ বাবেই লক্ষ্মী শ্ৰীয়ে তেওঁক লাগ দিছে।

সম্বলপুৰত মোৰ ঘৰত আলহী হৈ থাকোঁতে মোৰ এটা দুৰ্বলতা তেওঁৰ চকুত দৰকৈ পৰিছিল। সেইটো হৈছে এই :—

মই মেকুৰীভক্ত নহওঁ। ভক্ত তো মিছি কথা; মোক দুৰ্ধোৰ মেকুৰী বিৰাগী বুলিলেই হয়। একো একোটা মানুহৰ গাত একো একোটা অদ্ভুত দুৰ্ব্বলতা থাকে। মোৰ গাতো আন আন দুৰ্ব্বলতাৰ ভিতৰত ইযো এটা। আমাৰ এজনী মেকুৰী আছিল, তাইৰ নাম 'মিনি'। তাইক ছোৱালীইঁতে নিচেই পোৱালি অৱস্থাতে কৰবাৰ পৰা আনি পুহি ডাঙৰ কৰিছিল। তাই সিহঁতৰ বৰ মৰমৰ পাত্ৰ হৈ পৰি-ছিল, কিন্তু মোৰ হলে তাই চকুৰ কুটা দাঁতৰ শাল। মই কোনোমতে মেকুৰীজনীক সহ্য কৰি চলিছিলোঁ, এইমে মাথোন। পিছত মেকুৰীজনীয়ে বছৰে বছৰে তিনি খেপকৈ পোৱালি দিবলৈ ধৰিলে আৰু পোৱালিবোৰ কুবেৰৰ অষ্টনিধি ভাণ্ডাৰৰ ধনৰ দৰে যেতিয়া লোকক বিলায়ো মই ওৰ পেলাব নোৱাৰা হলো, তেতিয়া মোৰ ধৈৰ্য্যচ্যুতি ঘটিল। তাইৰ আৰু এটা উৎপাতত মই বিৰক্ত হৈ পৰিছিলো। আমি ভাত খাবলৈ বহিলেই তাই যতে থাওক, তাৰে পৰা লৰি আহি মোৰ মুখৰ আগত থিয় দিযেছি; আৰু মুখলৈ চাই লেথেৰি নিছিগাকৈ মেও মেওকৈ মোৰ আমনি লগাই দিছিল। লাহে লাহে বহু-দৰ্শিতাৰ ফলত সময়ৰ বিষয়ে মিনিৰ ইমান জ্ঞান বৃদ্ধি হ'ল যে আমি খাবলৈ বহা চাৰিও সাজিৰ সময়-কেইটা তাই ঘড়ীৰ কাঁটাৰে সৈতে এচুলিও অমিল নোহোৱাকৈ ৰাখি চলি আমাৰ খোৱা মজিয়াত উপস্থিত হোৱাত ত্ৰুটি নকৰিছিল। ওৰে দিনটো তাই যতে থাকক, কিন্তু সেই কেইটা সময়ত তাই তাত উপস্থিত হবই হব। চন্দ্ৰ সূৰ্য্যৰো গ্ৰহণ লাগে, কিন্তু মিনি ৰাহু কেতু দুইটাৰ পৰা বিমুক্ত। যিদিনা খোৱা-মেজৰ ওচৰত উপস্থিত হবলৈ মোৰ পাঁচ-দহ মিনিট পলম হয়, সেইদিনা তাই, মই যতে থাকো তালৈকে আহি মোৰ আগত মেও মেও কৰি মোৰ ভৰিৰ চাৰিওপিনে তাইৰ নেজডাল তাত লগাই দি খাবৰ মেজলৈ যাবলৈ মোক তাগিদা দিয়ে। মেকুৰীজনীৰ গচ্‌গতি দেখি মই হাঁহিম নে কান্দিম ঠিক কৰিব নোৱাৰা হৈছিলোঁ। তাইৰ যচাবাছিত্ত আমনি লাগি, শেহত মই দিনো মাৰি এডাল লৈ মোৰ কাষত থৈহে খাবলৈ বহিছিলোঁ। তাৰে তাইক আটিমুটিকৈ খেদি দিলেও তাই যদিও তৎক্ষণাৎ

লৰি পলাই গৈছিল, কিন্তু খিতাতে আকৌ আন এটা খাটেদি মোৰ পাছফালে খিয়দি মেও মেও লগাই দিছিল। কোনো কোনো দিনা তাইৰ তেনে উৎপাতালি সহিব নোৱাৰি, মই পাতৰ ভাত পাততে এৰি তাইক মাৰিবলৈ খেদাদি লৰি ফুৰি হাঁহিয়াতৰ পাত্ৰ হৈছিলোঁ।

মোৰ বাইপুৰীয়া বন্ধুজনে মোৰ ঘৰত আতিথ্য স্বীকাৰ কৰি থকা কেদিন মোৰ এই ভেকোভাওনাখন দেখি হাঁহি অস্থিৰ হৈ পৰিছিল। এইখিনিতে কওঁ মেকুৰীজনীক খাবলৈ দিয়াত যে মই কৃপণালি কৰিছিলোঁ, এনে নহয়। ঘৰৰ ‘বাবাগুা’ত আঁউজি তাইক সদায় ভাত-মাছ আৰু গাখীৰেৰে এপাত খাবলৈ দিয়াৰ ব্যৱস্থা" কৰিছিলোঁ। কিন্তু বাইকসীয়ে সেই পাত চকুৰে চাওঁতেই উৰাই দি, আকৌ মোৰ খোৱা মেজৰ ওচৰত হাজিৰ হৈ মেও মেও লগাই দিছিল। তাইৰ কামৰ ভিতৰত আছিল পেট ভৰাই ভাত খোৱা, গাটো অঁতাই-পিতাই ফস্তি জুৰি ৰ'দ কাচলিত শুই থকা আৰু তিনি মাহে চাৰি মাহে একোজাককৈ পোৱালী জগোৱা। নিগনি শলিয়া ধৰা কাৰ্য্যত তাইৰ সম্পূৰ্ণ অৰুচি জন্মিছিল। খিনা পৰিশ্ৰমতে পেট ভৰাই মহাসুখে খাবলৈ পালে, লৰি-চাপৰি দুখ কৰি যে কোনেও নমৰে এই বিবেচনাটো তাইৰ আছিল। তাইৰ পোৱালি থকা কালত, তাই নিজৰ দল বলৱন্ত কৰি লৈ সপৰিবাৰে আহি ওপৰোক্ত প্ৰকাৰে মোক ‘ধাৰ দিছিলহি।’ এনেবোৰ দৌৰাত্ম্যৰ উপৰিও, মোৰ খোৱা মেজৰ ওপৰত উঠি যি পায়, তাতে মুখ দি আৰু যি পাৰে তাকে মুখত লৈ বিশ্বাশৰদে পলাই গুচি গৈছিল। আখাৰ কাষত তপতোৱা গাখীৰৰ কেৰাহী, নমাই খোৱা চৰুত ভজামাছ দেখিলে আৰু তাইৰ চকুত টোপনি নোহোৱা হৈছিল। তাৰ ওপৰত ভাগ বহৰাবলৈ তাই এশ এটা বুধি সাজি টালিবাজি কৰি ফুৰিছিল। তাইৰ গচ্-গতি দেখি মোৰ ধাৰণা বদ্ধমূল হল যে তাইৰ পেটটো অখণ্ড ভোকৰ আকৰ, আৰু মনটো অদম্য ভোগৰ সাগৰ। তাইৰ অপৰ্য্যাপ্ত পেটটো ভৰিবৰো নামটি নাই, আৰু অখণ্ড মনটো মৰিবৰো আগন্তুক নাই। এদিন মই মোৰ কাপোৰৰ আলমাৰিটোৰ পৰা কাপোৰ উলিয়াই আলমাৰিৰ দুৱাৰ দুপাটৰ এপাট নামাৰি কেৰেচীয়াকৈ এৰি কিবা আন কাম এটাৰ নিমিত্তে এখন্তেকলৈ আঁতৰি গৈছিলোঁ। উভতি আহি আলমাৰিটো ভালকৈ বন্ধ কৰি খাদুলিসঁচাৰ লগাই গুচি গলোঁ। ৰাতি ভাত খাবৰ সময়ত দেখিলোঁ মিনি অনুপস্থিত। আজি কি হল? এই বুলি লগুৱাইঁতৰ হতুৱাই মিনিক কতো বিচাৰি নাপালোঁ। কিয় কব নোৱাৰো, মনটোত বেয়া লাগিল। ৰাতি বেতিয়া মই শোৱা পাটীত পৰিলোঁ, মোৰ মূৰ শিতানৰ কালে থকা সেই কাপোৰৰ আলমাৰিৰ ভিতৰৰ পৰা মিনিৰ মিহি মাত শুনিলোঁ—‘মেও’। লৰালৰিকৈ মই উঠি সঁচাৰকাঠিটো আনি আলমাৰিৰ দুৱাৰখন যেই মেলি দিলোঁ, মিনি একে জাপেই তাৰপৰা ওলাই গুচি গ'ল। মোৰ মনটো মুকলি হল। সেই ৰাতি মিনি নিশ্চয় লঘোণে-ভোকে থাকিবলগীয়াত পৰিছিল; অৱশ্যে যদি আমাৰ চুৱা-ধোৱা ঠাইত পৰি থকা মাছৰ কাঁইট আৰু দুই-চাইটা ভাতেৰে তাই পেটৰ খজুৱতি মাৰিব পৰা নাছিল। লাহে লাহে কিন্তু মোৰ ধৈৰ্য্যৰ সীমা অতীত হৈ গল। মই মোৰ ছোৱালীইঁতক বুজাই-বৰাই সন্মত কৰাই কোনো কৈকেয়ীৰ কথা নুশুনাকৈয়ে মিনিৰ বনবাস দিয়াটোকে থিৰ কৰিলো। সেই সংকল্প মতে, এদিন চাকৰ এটাৰ হতুৱাই মিনিক ধৰাই থৈলা এটাৰ ভিতৰত ভৰোৱাই, এমাইলমান দূৰৰ গাঁও এখনত মেলি থৈ আহিবলৈ চাকৰটোক হুকুম দিলোঁ। যেনে হুকুম তেনে কাম। সি হুকুম ঠিক ভাবেই তামিল কৰিলে। কিন্তু অ' হৰি! কি কম, কি শুনিবা! পিছদিনা দুপৰীয়া, কেনেকৈ কব নোৱাৰোঁ, মোৰ খাবৰ সময়ত মেজৰ তলত মাত শুনিলোঁ—মেওঁ—মেওঁ। চাওঁ দেখোন মিনি। তাই মেওঁ মেওঁ কৰি তাইৰ পুনৰাগমনৰ শুভবাৰ্ত্তা মোক জনালে। মই মিনিৰ হাতত পৰজিত হৈ জঁকি উঠিলো। এইবাৰ সতৰ্কতা সহকৈ অৱলম্বন কৰি মিনিৰ বনবাসৰ কঠোৰ বিধান কৰিলোঁ। এইবাৰ স্বহস্তে তাইক ধৰি আগৰ দৰেই থৈলাত সুমাই মটৰ গাড়ীত তুলি লৈ মহানদীৰ সিপাৰত মই এৰি থৈ আহিলোগৈ; আৰু কোনেও নুশুনাকৈ মনে মনে কলোঁ—‘খাপেৰে কেনে কৰিলে পালি!’ সেই দিনাৰ পৰা মাৰ্জ্জাৰী বিদায় ভাৱনাৰ ওৰ পৰিল। আৰু দেখাশুনাকৈ মোৰ মনত শান্তি হল; কিন্তু ভিতৰত কোনে কব নোৱাৰোঁ—মৃদু মাতেৰে কৈছিল—“আহা! বেচেৰী মিনি! কলৈ গলি!”

ভাৱনাটোৰ এই শেষডোখৰ অৱশ্যে মোৰ বাইপুৰীয়া বন্ধুজনে দেখি যোৱা নাছিল। তেওঁ উভতি গৈ নিৰাপদে ঘৰ পোৱাৰ খবৰৰ লগতে, ধেমালিকৈ মোলৈ লেখিলে—‘মিনিৰ খবৰ কি? যুদ্ধৰ অৱসান হল নে নাই?’ মই তেওঁৰ চিঠিৰ প্ৰাপ্তি স্বীকাৰ কৰি আন আন কথাৰ শেহত লেখিলোঁ যে, আপদৰ শান্তি হ'ল। মিনিৰ ওপৰত কাঁচী দণ্ড বিহিত হৈছিল। শেহত এই দণ্ড Commute অৰ্থাৎ সলাই চিলা কৰি দ্বীপান্তৰলৈ পৰিণত কৰি তাইক মহানদীৰ পাৰ নামৰ কলীয়া পানীত মেলি দিয়া হ'ল।

ইয়াৰ এমাহৰ পিছত মোৰ সেই বন্ধুজনৰ পৰা হঠাৎ টেলিগ্ৰাফ এখন পালোঁ। তেওঁ খবৰ দিছে

যে তেওঁৰ এজন বিশিষ্ট বন্ধুৰে সৈতে তেওঁ সম্বলপুৰলৈ যাত্ৰা কৰিলে। সম্বলপুৰত তেওঁলোকৰ অলপ সকাম আছে দেখি আহিবলগীয়াত পৰিছে'। তেওঁলোক এদিন থাকিয়েই উভতি যাব। যদি মোৰ অসুবিধা নহয়, তেন্তে তেওঁলোকক মোৰ ঘৰতে থাকিবলৈ ঠাই দিলে অনুগৃহীত হব।

পিছ দিনা পুৱা মই আনন্দ মনেৰে দুইকো সম্বলপুৰ ষ্টেচনৰ পৰা লৈ আহি মোৰ লগতে থকা আৰু খোৱা-বোৱাৰ দিহা কৰি দিলোঁ। ৰাইপুৰীয়া বন্ধুজনৰ বন্ধুৰ নাম আৰ, বি, কালে। অৰ্থাৎ ৰামচন্দ্ৰ বলৱন্ত কালে। তেৱেঁ। মহাৰাষ্ট্ৰী। দেখিলোঁ, মানুহজন কথাই-বাৰ্ত্তাই সৰবৰহী। তেওঁ পৃথিৱীৰ অনেক দেশত ফুৰিছে। বিলাতলৈকো তিনি চাৰি বাৰ গৈছিল। মুঠতে দুইজন বন্ধুকে পাই মই বৰ সুখী হলোঁ।

তেতিয়া মাৰ্চ্চ মাহৰ আগ-পথ। জাৰ গৈ ঘাম গোমাবলৈ কুল্‌কুলাইছে। বন্ধু দুজনে মোক কলে,—'ৰাতি আমি শোৱনি ঘৰৰ এই বাৰাণ্ডাতে শুই থাকিমহঁক। ঘৰৰ ভিতৰত গৰম পাম। আপুনিও যদি আমাৰ কাষতে শোৱে বেয়া নহয়।'

মই কলোঁ, 'মই বুঢ়া মানুহ দেওহে। তেজ তো আৰু মোৰ গাত নাই। কেনেবাকৈ ঠাণ্ডা-ফাণ্ডা লাগিব; মই ঘৰৰ ভিতৰতে মোৰ শোৱা খোঁটালিতে শুম। অৱশ্যে খোঁটালিটোৰ দুৱাৰ আৰু খিড়িকীবোৰ মেলি থম।'

ৰাতি শুই আছোঁ। টোপনিটোও চিলমিলকৈ আহিছে। এনেতে কাণত পৰিল, মোৰ শোৱা খাটৰ তলত মেকুৰী এটাই মেও মেও কৰিছে। মেকুৰীৰ মাত শুনি মোৰ চিলমিলকৈ অহা টোপনিটো চাঁত কৰে ভাগি গল। মই ভাবিলোঁ, সেই আপদীয়া মিনিজনী আকৌ কেনেবাকৈ ওলালহি নেকি! মোৰ খোটালিটোত পোহৰ নাছিল। চাকিৰ পোহৰত মোৰ টোপনি নাহে দেখি, লণ্ঠনটো সদায় মই খোঁটালিৰ বাহিৰত থৈ শোওঁ। চুহ চুহ কৰি এন্ধাৰত নেদেখাকৈয়ে মেকুৰীজনীক খেদাই দি মই আকৌ পাটীত পৰি তলকা মাৰিলো। দহ মিনিটমানৰ পিছত আকো শুনিলোঁ মেকুৰীৰ মাত। ঠিক মোৰ মনত হল যেন মেকুৰীজনী মোৰ শোৱা খাটখনৰ তলতে। উঠি গৈ জলি থকা লণ্ঠনটো লৈ আহি খাটৰ তললৈ জুমি চালোঁ। মেকুৰী-চেকুৰী একো নাই। ভাবিলোঁ, মই লণ্ঠন আনিবলৈ যাওঁতেই মেকুৰীজনী মুকলি খিৰিকিয়েদি ওলাই গল। লণ্ঠনটো বাহিৰত থৈ আহি মই আকৌ পাটীত পৰিলোঁ। সিফালে মোৰ বন্ধু দুজনে নাক ডকাই কোঁচ্‌ কোচ্‌ কৰে শুই আছে; মোৰ আহকালৰ খবৰেই তেওঁলোকৰ নাই। আকৌ পাটীত পৰিলোহি। দহ মিনিটমানৰ পিছত, এইবাৰ শুনিলো, মোৰ শোৱা খোটালীৰ ছিলিঙৰ (Ceiling)ৰ ওপৰত মেকুৰীৰ মাত। চিলিং মানে ডাঠ কণা কাপোৰেৰে মোৰ শোৱা খোটালিটোৰ চালৰ তলি ডোখৰ ঢাকি থোৱা ব্যাপাৰ। তাৰ ওপৰৰপৰা প্ৰথমতে মিহি মাতেৰে 'মিউ মিউ' ওলাই, লাহে লাহে খৰকৈ 'মেও মেও' ওলাবলৈ ধৰিলে। মোৰ কি আৰু টোপনি আহে? উঠি লাখুটি এডাল আনি, চিলিঙৰ ফালে টোঁৱাই আটিমুটি কৰি চুহ চুহ, যা! যা! কৰি মেকুৰী খেদিবলৈ ধৰিলো। মেকুৰী নিমাত হল। ভাবিলো, আপদ গল। মোৰ বন্ধু দুজন তেতিয়াও ঘোৰ নিদ্ৰান্ত নিমগন।

এইবাৰ ভালকৈ শোওঁ বুলি বিছনাত পৰি, প্ৰথমতে মনতে এক, দুই, তিনি, চাৰিকৈ লেখি যাবলৈ ধৰিলোঁ। তাৰ পিছত এখন বৰ বহলবিলত চপ্‌চপীয়া হৈ থকা পানীৰ কথা ভাবিলোঁ। তাৰ পিছত বাৰিষা লেল্‌পেল্‌ নিছিগা বৰষুণৰ জন্‌ জম্‌ শবদৰ কথা ভাবি আছোঁ; এনেতে দুটা বোন্দাই মোৰ শোৱা খাটখনৰ তলতে বিকট স্বৰেৰে মাও! মাও! ফোচ্‌! ফোচ্‌! কৰি যুদ্ধ কৰা শুনি বিচনাৰপৰা একেচাৰেই উঠি লৰি লণ্ঠনটো আৰু লাখুটিডাল আনিলোগৈ। লণ্ঠনটোৰ পোহৰ খাটৰ তললৈ পেলাই দি, লাখুটি দাল হাতত লৈ চাই পঠিয়ালোঁ, কিন্তু বোন্দা দুটাক নেদেখিলোঁ। সিহঁতে কৰবাত অংকুট মাৰিলে। গোটেইটো খোটালিত পিত পিতকৈ চাইও খোন্দাহানৰ দৰ্শন নঘটিল। এইবাৰৰ গোলমাল শুনি মোৰ বন্ধু দুজনৰ টোপনি ভাগিল। তেওঁলোকে উঠি আহি, কি হৈছে বুলি সুধিলত, মই মোৰ আহকালৰ কথা আগৰপৰা গুৰিলৈকে সোপাকে তেওঁলোকক কলো। তেওঁলোকে মোৰ দুঃখ পতিয়াই, এইবাৰ মোক ঘৰৰ দুৱাৰ আৰু খিড়িকীখন মাৰি শুবলৈ কলত তাকে কৰিলোঁ। অলপ পৰৰ পিছতে শুনিলোঁ, মোৰ ওচৰৰ ফুলনি বাগিচাত সেই বোন্দা দুটাই সেইদৰে মাও মাও ফোচ্‌ ফোচ্‌ কৰি মহা সংগ্ৰাম আৰম্ভ কৰিছে। বন্ধু দুজনৰ তেতিয়াও টোপনি অহা নাছিল। মই তেওঁলোকক কলো, 'সেয়া শুনক। বদ্‌মাছহঁতে সেই ফুলনিত কুৰুক্ষেত্ৰ পাতিছেগৈ।' তেওঁলোকেও সেই ফালে চাই চুহ্‌ চুহ্‌ যা যা কৰিবলৈ ধৰিলে। ৰাইপুৰীয়াজনে তেতিয়াই তললৈ নামি কৰবাৰ ভগা ইটা এডোখৰ আনি বোন্দা দুটাৰ ফালে মাৰি পঠিয়ালে। ইটা পৰাৰ পিছত বোন্দাৰ সংগ্ৰামৰ ওৰ পৰিল আৰু বোন্দা দুটা নিমাত হ'ল।

ইয়াৰ পিছত আমি তিনিও পাটীত পৰিলোহঁক। কিন্তু মই পাটীত পৰিয়েই শুনিলোঁ, মোৰ খোঁটালিটোৰ চুক এটাত মিহি মাতেৰে মেকুৰী পোৱালি এটাই মিউ কৰিছে। মই ভাবিলোঁ এইবাৰ মিনিৰ পোৱালি ওলাইছে। মই লোকক বিলাই দিয়া পোৱালি এটা কৰথাৰ পৰা আছি, তাৰ মাক আৰু বাপেকইতৰে হোৱা মোৰ এই সংগ্ৰামত যোগ দিছেহি। আজিকালিৰ যুদ্ধত 'বয় স্কাউট' থাকে যেতিয়া—এইখন যুদ্ধতে বা নাথাকিব কিয়? আকৌ মই উঠি লণ্ঠনটো আনি খোঁটালিটোৰ চাৰিওফালে চালোঁ, বয়স্কাউটে দেখা নিদিলে। মোৰ আহুকাল দেখি বাইপুৰীয়া বন্ধুজনে প্ৰস্তাৱ কৰিলে—'মিষ্টাৰ বৰুৱা, আপুনি আৰু ঘৰৰ ভিতৰত নুশুব। আপোনাৰ খাটখন আমি দুয়ো ধৰি বাহিৰলৈ উলিয়াই আনো। ইয়াত আমাৰ কাষতে আপুনি শুই থাকক।' মই তেওঁৰ কথাত হয় দিয়াৰ আগেয়েই তেওঁলোক দুয়ো উঠি মোৰ খাটখন ধৰি তুলি বাৰান্দালৈ উলিয়াই নি, তেওঁলোকৰ খাটৰ কাষতে পাতি দিলে। মই 'যথা নিযুক্তোহস্মি তথা কৰোমি' হৈ তাতে শুলোঁ। কিছুমান পৰৰ মূৰত সেই খাটখনত পৰা মোৰ খাটৰ তলতো মেকুৰী পোৱালীৰ মিউ, মিউ এবাৰ কি দুবাৰ শুনিলোঁ। মই আকৌ উঠি সেই খাটতে বহিলত, তেওঁলোক দুজনো উঠিল। বাইপুৰীয়া জনে মোক কলে—'মেকুৰী পোৱালিয়ে মাতিছিল। থোৱোঁ, আপুনি তালৈ ইমানকৈ কাণ দিয়ে কিয়? টোপনি মাৰি শুই থাকক।'

মই কলোঁ—'মেকুৰীৰ মাত শুনিলে যে মোৰ ভয় লাগে এনে নহয়; কিন্তু ভাল নালাগে; আৰু টোপনিও নাহে।' নতুন বন্ধুজনে কলে—"আপোনাৰ সম্বলপুৰত দেখিছো মেকুৰীৰ বৰ দৌৰাত্ম্য। যি হওক, আজিলৈ শুই থাকক।" তেওঁলোকৰ কথা শুনি মই আকৌ পাটীত পৰি টোপনি মাৰিলো। লাহে লাহে মোৰ টোপনি আহিল, আৰু সেই টোপনি পিছদিনা ৰাতিপুৱাহে ভাগিল।

পিছদিনা পুৱা বন্ধু দুজনে এই মেকুৰীৰ ব্যাপাৰ উলিয়াই মোক জোকাবলৈ ক্ৰটি কৰা নাছিল। নতুন বন্ধুজনে মোক কলে—"আপুনি মেকুৰীৰ বিষয়ে ইমান 'ছেন্সিটিভ' (Sensitive) হোৱাটো ভাল নহয়। মেকুৰীৰ ফালে মন নিদিলেই হ'ল।"

সেইদিনাই গধূলিৰ ৰেলগাড়ীত বন্ধু-দুজন উভতি গ'ল। ছদিনৰ মূৰত মোৰ বাইপুৰীয়া বন্ধুৰপৰা এখন চিঠি পালোঁ। তাৰ অসমীয়া ভাঙনি তলত দিয়া হল :—

"প্ৰিয় বন্ধু মোৰ,

মই উভতি নিৰাপদে ঘৰ পালোঁহি। মিষ্টাৰ কালেৰ ঘৰ নাগপুৰত। তেওঁ ইয়াত নানামি পোন থটেই নাগপুৰলৈ গ'ল। আপোনাৰ আতিথ্য আৰু যত্নত আমি দুয়ো আপোনাৰ ওচৰত কৃতজ্ঞ।

এটা কাৰ্য্যৰ নিমিত্তে মই আপোনাৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। আশাকৰো, আপুনি মোক ক্ষমা কৰিব। এইবাৰৰ আগৰবাৰ মই আপোনাৰ ঘৰত আলহী হৈ থাকোঁতে, আপোনাৰ এটা গঢ় দেখি মোৰ পেটে পেটে বৰ হাঁহি উঠিছিল। আপুনি ভাতৰ পাতত বহিও, হাতত মাৰি এদাল লৈ মেকুৰী খেদাই ফুৰিছিল। মেকুৰীৰ মাত শুনিলে আপুনি নখৈ আমনি পাইছিল। মূঠতে মোৰ ধাৰণা হল যে মেকুৰীবোৰ সৈতে আপোনাৰ সতিনী আঁহ। লোকক, বিশেষকৈ মোৰ বন্ধু মানুহক জোকোৱাটো মোৰ স্বভাৱ আপুনি দেখিছে। সিদিনা মই নাগপুৰলৈ যাওঁতে মিষ্টাৰ কালেক লগ পালোঁ। আপুনি তেওঁক দেখি বুজিছে যে মানুহজন শিক্ষিত, গুণী, আৰু বহুদৰ্শী। বহুত দিনৰ আগৰে পৰা তেওঁৰে সৈতে মোৰ বন্ধুতা। তেওঁ Ventriloquism বিদ্যাত বৰ পাকত (নিজৰ মুখখন বন্ধ কৰি নলবোৱাকৈ নানা মাত মাতিব পৰা বিদ্যা)। আপোনাক জোকাই ৰং চাবৰ মনেৰে, মই তেওঁক লগত লৈ তেওঁৰ হৈয়ো ৰেলৰ দ্বিতীয় শ্ৰেণীৰ কেৰেয়া দি, আপোনাৰ ঘৰ পাইছিলোঁগৈ। আপোনাক জোকাই ৰং পোৱাৰ বাহিৰে সম্বলপুৰত আমাৰ আন একো কাম নাছিল। ৰাতি আপুনি শুই থাকোতে আপোনাক আমনি কৰা মেকুৰীবোৰ অকল মোৰ বন্ধু মিষ্টাৰ কালেই। আশাকৰো, আপুনি ভালে আছে। আকৌ কেতিয়াবা সম্বলপুৰলৈ গলে মই কালেক লগত লৈ নাযাওঁ।

আপোনাৰ দোষী বন্ধু,—

শ্ৰী............... ....

(বাঁহী, ২০শ বছৰ, আঘোণ, ৮ম সংখ্যা ১৮৫৩ শক)

মগনিয়াৰ বক্তা

ৰেলগাড়ীৰ খোটালিটোত অকলে বহি কি যে ভাবি-চিন্তি আছোঁ, মই নিজেই কব নোৱাৰোঁ। মোৰ মুখত থকা চেলেউটোৰ ধোঁৱাবোৰ ওলাই পাক-খাই খাই উৰি যাব লাগিছে। মোৰ মনটোও সেইবোৰেৰে সৈতে লগ লাগি পাক খাই কলৈ উৰি গৈছে, জানো। মই মাথোন ধোঁৱাবোৰৰ ফালে ৰ-লাগি একেথিৰে চাই আছোঁ আৰু মোৰ মনটো সেইবোৰৰ লেৰত লোমাই উধাও গৈ আছে। ধোঁৱা দোৱৰ

চকৰত খোঁৱাই চুটি মেলি, আকৌ ঘূৰি আহি, প্ৰথমতে যৰপৰা গৈছিল, সেইখিনি পায়হি। মোৰ মন তেনেকুৱা চকৰৰ ভিতৰত সীমাবদ্ধ নহয় যদিও, সোৱৰণৰ ফান্দেৰে কন্দিয়াই তাক অন্ততঃ আকৌ ঘূৰাই চপাই আনিব পাৰিম বুলি জানো। সেইদিনা সি কিন্তু খোঁৱা হাতী কাবোৰ শাৰীত নাথাকি একেবাৰেই উৰণীয়া ভাং-খোৱা গৰুৰ শাৰীলৈ নামিছিল যেন লাগিছিল। ভাং-খোৱা গৰুৱে ইফালে চপলিয়াগ সিফালে চপলিয়ায, গোহালিত সোমোৱাটো তো দূৰৰ কথা, গিৰিহঁতে তাক ধৰিবলৈ হাতত পঘা লৈ ঘূৰি ফুৰিলেও, সি গিৰিহঁতৰ চাটিকে নসয; বৰং আৰু সৰহকৈ উচাৎ মাৰি দৰি গৈ খেৰণি বননিত সোমাই নেদেখা হৈ যায়। মোৰো মনৰ তেনে বিপৰ্য্যয় ঘটিছিল। এনেতে এটা ষ্টেচনত ৰেল গাড়ীখন হঠাৎ ৰোৱা যেন লাগিল। গাড়ী ৰখোৱা উদ্যোগপৰ্ব্বৰে সৈতে মোৰ চিনাকি ঘটিবৰ অৱসৰৰ গমকে নাপালোঁ। যেই গাড়ীখন ৰল, ততালিকে মোৰ খোটালিৰ সমুখৰ প্লেটফৰ্ম্মৰ পৰা কোনোবাৰ মুখৰপৰা সুৰীয়া হৈ ওলোৱা এই কেইষাৰ মোৰ কাণত পৰি, মোৰ খেলিমেলি লাগি থকা দিনৰ সপোনটো ভাগি গল :—

"ইন্দ্ৰ বিনা নদী কোন ভৰে।
ৰাজা বিনা ছত্ৰ কোন ধৰে॥
ৰাম বিনা দুঃখ কোন হৰে।
দাতা বিনা দান কোনে কৰে॥"
'হৰি ৰাম! হৰি ৰাম! হৰি ৰাম!'

ডিঙি মেলি চাই দেখিলোঁ, ফটাকানি পিন্ধা আউল বাউল চুলি আৰু দিঘলীয়া পকা ডাড়িৰে মগনিয়াৰ বুঢ়া এটাই ক'লা কানি এডোখৰেৰে মেৰোৱা দীঘলীয়া কাকতৰ নুৰা এটা হাতত লৈ মোৰ ফালে চাই, তাৰ গান স্থগিত কৰি চালাম দি তৎক্ষণাৎ তাৰ কিবাকিবি দুখৰ বৃত্তান্তবোৰ অতি ব্যগ্ৰভাৱে বৰ্ণাই গৈছে। কিন্তু প্লেটফৰ্ম্মৰ ইমানবোৰ মানুহ ঘূৰি ফুৰিছে, কোনোৱে সেই কথাবোৰ শুনিবলৈ অলপো কৌতুহল প্ৰকাশ নকৰি নিজ নিজ কামত ব্যস্ত হৈ ৰৈছে। তাৰ কথাবোৰ আৰু সেইবোৰ কোৱাৰ গঢ়ৰ পৰা স্পষ্টকৈ বুজিব পাৰি যে সেইবোৰ তাৰ অন্তৰৰ মৰ্ম্মস্থল ভেদি ওলোৱা উহ। তাৰ ভিতৰত পৰৰ অত্যাচাৰৰ বৰ্ণনা আছে; তাৰ নিজৰ দুখৰ বৃত্তান্ত আছে। অত্যাচাৰীৰ ওপৰত কৰা গোচৰৰ বুৰঞ্জী আছে আৰু গোচৰৰ বিচাৰৰ ফলে আন আকাৰ নধৰি কোন আকৃতি ধৰা উচিত আছিল, তাৰ ওপৰত তাৰ নিজৰ মতামত আছে; আৰু শেহত অত্যাচাৰীৰ প্ৰতি কেনে দণ্ডবিধান হ'ব লাগিব আৰু কাইচলা সি কেনেকৈ কৰি থৈছে সেইটোৰো উল্লেখ সম্পূৰ্ণৰূপে আছে। তাৰ এই মোকৰ্দ্দমাৰ 'চানি-বিচাৰৰ' ভাৰ হাতত লৈ মই তাৰপৰা খি কেইটা 'ইছু' ধাৰ্য্য কৰিলোঁ, তাৰ লেখ তলত দিওঁ।

(১) গুচৰীয়া গণ্ডা জাতৰ মানুহ। (গণ্ডা জাতটো সম্বলপুৰৰ ফালে অস্পৃশ্য অৰ্থাৎ ছুব নোপোৱা জাত।)

(২) তাৰ অনেক মাটি-বাৰী আছিল। সম্প্ৰতি সি লাও-টোকাৰী লোৱা পাটিৰ মগনিয়াৰ।

(৩) তাৰ গাঁৱৰ গাঁওবুঢ়া বা গাঁওগাঁয়াৰ নাম ব্ৰজ গাঁওগা।

(৪) তাৰ গাঁৱৰ জাকৰৰ নামটো কৈছিল, (লেখকে পাহৰিলে)।

(৫) তাৰ গাঁৱত বিশ্বাধৰ তেলী নামেৰে এটা চহকী তেলীয়া জাতৰ মানুহ আছে।

(৬) এই এটাই কেউটাই চক্ৰান্ত কৰাৰ ফলত তাৰ মাটি-বাৰীবোৰ বিশ্বা তেলীৰ হাতলৈ গল।

(৭) সি কাছাৰিত তাৰ যথাসৰ্ব্বস্ব ভাঙি গোচৰ পাৰি একো কৰিব নোৱাৰিলে। তহচিলদাৰ, পাটোৱাৰী এইবোৰক ব্ৰজ গাঁওটীয়া আৰু বিশ্বা তেলীয়ে ধন খুৱাই হাত কৰি লৈ তাক সৰ্ব্বস্বান্ত কৰিলে। আৰু সি যে তাৰ মাটি-খাৰী নাপালেই, তাৰ উপৰি দুবৈৰ কাছাৰীলৈ অহা-যোৱা কৰি অনেক দিন খাটকুৰি বাই বাই তাৰ কাণসমনীয়া চাৰিটা পুতেক মৰি গল। সেই দুখতে তাৰ এনে লৈলৈ-থৈথৈ অৱস্থা হৈছে। একালত চহকী গৃহস্থ সি, আজি গছৰ তলত থকা ডাল-দৰিদ্ৰ। —এতেকে

(৮) ব্ৰজ গাঁওটীয়াক তিনি বছৰলৈ ফাটকত দিব লাগে।

(৯) বিশ্বা তেলীৰপৰা মাটিৰ দাম আৰু কষ্টৰ 'ৰাজিপ দাম' স্বৰূপে সুতেৰে সৈতে সাত হাজাৰ টকা জৰিমনা কৰি 'ৰাচিন' কৰি, তাৰ পিছত তেলীক পাঁচ বছৰলৈ ফাটকত দিব লাগে।

(১০) জাকৰটোক ধৰি তাক টিকা চেলাই উদং টিকাত ত্ৰিছটা বেতৰ কোৰ মাৰি তাৰ পিছত এবছৰলৈ তাক ফাটকত দিব লাগে। এনেকুৱা নকৰিলে চৰ্কাৰৰ ৰবৰ আইনৰ সন্মান ৰক্ষা নহয়, অৰ্থাৎ আজিকালিৰ প্ৰচলিত কথাৰ গঢ়েৰে কবলৈ গলে Law and order অভঙ্গ হৈ সুৰক্ষিত নাথাকে।

(১১) সি এতিয়া বুঢ়া আৰু অকৰ্ম্মণ্য হৈছে। সেই দেখি তাৰ মাটি-বাৰী আৰু 'খেচাৰতৰ' টকা-

কড়িবোৰ তাক আৰু নালাগে। সি চৰ্কাৰৰ 'নিমখ' অনেক দিন খাইছে, সেইদেখি সেইবোৰ চৰ্কাৰে উদ্ধাৰ কৰি লৈ নিজে ভোগ-দখল কৰক। বিশেষতঃ সি জানে যে, চৰ্কাৰেহে এই বহল ভাৰতবৰ্ষখনৰ ধন-সম্পত্তি আৰু মাটি-বাৰীৰ গৰাকী। সেইদেখি চৰ্কাৰৰ বস্তু চৰ্কাৰৰ হাতলৈ যাওক; তাত তাৰ কোনো আপত্তি নাই। কিন্তু ন্যায় বিচাৰ কৰি দোষীক যথোচিত দণ্ড দিয়াটো দেখিলেই সি সুখেৰে মৰি যাব পাৰে।

এনেতে গাড়ী এৰি দিলে। মই পইচা এটা তাৰ ফালে দলিয়াই দিলত সি অতি কৃতজ্ঞভাৱে—"হৰি ৰাম। হৰি ৰাম।" বুলি মোৰ ফালে চাই অনেক "চালাম" কৰিলে আৰু মই তাৰ চকুৰ আঁৰ নোহোৱালৈকে সি আমাৰ ফালে চাই থকা দেখিলোঁ।

ষ্টেছনটোৰ নাম চাছন। এইটো এৰিযেই পোন্ধৰ মিনিটমানৰ পিচত সম্বলপুৰ পোৱাগৈ যায়। ১৯১৭ খৃষ্টাব্দত মই হাওড়া এৰি কিছুকালৰ নিমিত্তে সম্বলপুৰ নিবাসী হবলৈ আহোঁতে হোৱা এইটো ঘটনা। তাৰ পিছৰপৰা আজি ১৯৩২ খৃষ্টাব্দলৈকে মই সম্বলপুৰত আছোঁ। মই কতবাৰ ঝাৰসোগোড়া আৰু কলিকতালৈ সম্বলপুৰৰ পৰা অহা-যোৱা কৰিছোঁ। প্ৰত্যেক বাৰতে এই মগনিযাৰ বুঢ়াক তেনে অৱস্থাত চাছনত পাইছোঁ। তাৰ মুখত আজিও সেই গীত, আৰু হাতত সেই নুৰা বন্ধা কাকত। নুৰাৰ কাকতবোৰ হেনো তাৰ মাটি-বাৰীৰ দলিল-পত্ৰ। আজিও তাৰ মুখত সেই গোচৰ, সেই বৃত্তান্ত আৰু সেই 'ৰায়'। মোৰ মনত কোনো সন্দেহ নাই যে সি তাৰ মনতে মোকং কোনোবা এজন ডাঙৰ হাকিম বুলি ভাবি লৈছে। কিন্তু এই ইতিবৃত্ত লেখকে হে জানিছে, যে লুইতৰ পানীত তেওঁৰ বঠা কিমান দ-কৈ বহে। হাকিম হৈ কাছাৰীত, হাতোৰা লগা মাচিয়াত বহি, গোচৰৰ 'ডিগিৰি ডিছমিছ' কৰা, আৰু তাৰ পিছত পথুলি ঘৰলৈ গৈ হাকিমনী ষৈণীক মৰমৰ মাতেৰে মাতি, লগুৱাক কুকুৰৰ-পো কটা, আৰু হাকিমৰ প্ৰতাপ দেখি স্তব্ধমূৰ্ত্তি হৈ আৰু চকিত নয়নেৰে তেওঁৰ ফাললৈ দৃষ্টিপাত কৰি থকা সৰ্ব্বসাধাৰণৰ হজুৰ, দেউতা ইত্যাদি কথা শুনি তেওঁ তেওঁৰ কৰ্ণকুহৰ পৰিতৃপ্ত কৰাৰ ভাগ্য তেওঁৰ কপালত এই জন্মত আৰু নঘটিল। যাওক। সেই মগনিয়াৰ বুঢ়াৰ দিনো একেটা গোচৰ আৰু একেটা ৰায়। তাৰ ৰায়টো যাতে এই ভণ্ড হাকিমৰ দ্বাৰাই কাৰ্য্যত লগোৱা হয় তাৰ চেষ্টাত সি নিমগন। একো একো দিনা সি তাৰ সেই সুবিখ্যাত গানৰ সালসলনি কৰি নতুন গীতৰ এডোখৰ-আদ্ডোখৰ গাই তাৰে তাৰ পুৰণি দৰ্খাস্তখনত বহল দি তাক মোৰ আগত 'পেছ' কৰে। সেই নতুন গীতখোৰৰ ভগ্নাংশবোৰ শুনি শুনি মোৰ প্ৰায় মুখস্থ হৈ গৈছে। সি এদিন গায় :—

"আস হে, দুঃখীধন নীলমণি।
কনাই কনাই বুলি ডাকে তোৰে জননী॥"

আৰু এদিন :—

"নন্দৰাজসুত জঞ্জাল নকৰ,
মুই যিৰি যমুনা।"

আৰু এদিন :—

"তেৰে দয়া ধৰম নাহি, তন্‌মে মুখৰা,
ক্যা দেখ দৰ্পণমে"। ইত্যাদি।

একো একো দিন সি এখন ফটা বাতৰি কাকতৰ পাত এটা হাতত লৈ চকুৰ আগত ধৰি একান্ত মনেৰে ঠিক তাৰেপৰা পঢ়া যেন দেখুৱাই, তাৰ মুখস্থ থকা উৰিয়া কৱিৰ ৰচিত পুৰাণৰ পদবোৰ সৰসৰকৰে মাতি যায় আৰু তাৰ পিছত সেই তাৰ পুৰণি 'নালিচ বিজু' কৰে। একো একোদিন তাৰ পুতেক কেইটাই গোচৰত লাগি থাকি অশেষ নিকাৰ ভুঞ্জি মৰি যোৱাৰ কথা কওঁতে কওঁতে তাৰ দুচকুৰেদি দুধাৰ পানী বৈ যায়। একো একো দিন ব্ৰজ গাওঁটীয়া, বিশ্বা তেলী আৰু জাকৰটোৰ অত্যাচাৰৰ কথা বৰ্ণাওঁতে তাৰ ইমান উগ্ৰ চৰে যে সি বিঙিয়াই বিঙিয়াই সিহঁতক গালি পাৰি শাও দিযে, ধম্‌কি দিযে, আৰু ষ্টেছনৰ মানুহে তাৰ কথা শুনি, তাৰ মূৰ্ত্তি দেখি, মিচিক্ মিচিককৈ হাঁহি আঁতৰি গুচি যায। এবাৰ মই তাৰ এই বিষয়টোৰ বিষয়ে অনুসন্ধান কৰিছিলোঁ। জানিব পাৰিলোঁ যে, তাৰ কথাবোৰ সঁচা। কিন্তু সেই ঘটনাটো ইমান পুৰণি, তাৰ কোনো প্ৰতিকাৰৰ উপায় এতিয়া আৰু নাই। তাৰ যথাসৰ্ব্বস্ব লুটি-পুতি খাই তাৰ এনে অৱস্থা কৰোঁতাবোৰৰ এটা মৰি গল; আৰু বাকী দুটা আৰু মৰি যোৱাটোৰ লৰা-ছোৱালীবোৰে আজিও সুখেৰে তাৰ মাটিবাৰী খাই আছে। বেচেৰাৰ গোচৰখন এই পুৰীত কোনেও নুশুনিছিল। মৃত্যুৰ বাহিৰে বেচেৰাক শান্তি দিব পৰা আন কোনো নাই। বপুৰাৰ গোচৰৰ সুবিচাৰ এই পুৰীত কাৰো দ্বাৰাই নহল আৰু হবৰ কোনো আশাও নাই। সিপুৰীত হবৰ কিবা আশা আছে নে? ওলটা-বিজে সুধিছে— 'আশা আছে নে?' সেইদেখি মগনিয়াৰ বুঢ়াৰে সৈতে সুৰ মিলাই মোৰো গাবৰ মন গৈছে :—

ইন্দ্ৰ বিনা নদী কোন ভৰে?
ৰাম বিনা দুঃখ কোন হৰে? *

* (বাঁহী ২১শ বছৰ. ৭ম সংখ্যা, কাতি, ১৮৫৪ শক)

——

ছাইমন

এই ছাইমন 'ছাইমন উভতি যোৱাগৈ' ছাইমন নহয়; এই ছাইমন 'ভাৰতত থকা' ছাইমনহে। এই ছাইমনৰ উভতি যাবলৈ ঠাই নাই। বেচেৰাৰ আমাৰ লগতে ভাৰতত উৎপত্তি আৰু ভাৰতত বসতি। এই ছাইমনৰ গাত বল-শক্তি যদি কেতিয়াবাকৈ হয় তেন্তে তেওঁ ভাৰতত সাক্ষী থাকি লৈ ভাৰতত সিদ্ধান্ত কৰি আমাৰে সৈতেই মিলি জুলি 'ৰিপোৰ্ট' লেখি বায় দিব লাগিব; 'নান্যঃ পন্থা বিদ্যতে অয়নায়।'

মই এবাৰ কাৰ্য্যোপলক্ষে গৈ বিলাসপুৰৰ ৰেলৰে ষ্টেছনৰ ৰেইটিং কমবাসী হব লগীয়াত পৰিছিলোঁ। ৰেইটিং কমটো দুমহলীয়া। বতাহ পোহৰৰ তাত অব্যাহত গতি। পৰিষ্কাৰ পৰিচ্ছন্নও। মই ওপৰ মহলাতে থাকিবলৈ ললোঁ। খোঁটালিটোৰ ভিতৰত মই আন কোনো ৰিপ্ৰাটত পৰা নাছিলোঁ; পৰিছিলোঁ মাথোন মোৰ পেটৰ ভিতৰৰ ৰিপ্ৰাটত হে। বিলাসপুৰ ষ্টেছন পোৱা দিনাই পুৱাৰ সাজত বিফ্ৰেছমেণ্ট কমত বহি, ফৰ্ম্মাছ দি মই চাৰিটা মিচামাছৰ কট্‌লেট্ অৰ্থাৎ ইংৰাজী ৰকমে ভজা মাছ ভোজন কৰিছিলোঁ। তেনেকৈ প্ৰস্তুত কৰা মিছামাছৰ ফালে পক্ষপাতটো মোৰ অলপ বেছি। সঁচাক পৰিহাৰ কৰি, মিছাক সৰোগত কৰিলে, সি আপাততে মধুৰ হব পাৰে, কিন্তু পৰিণামত পৰিতাপ মনলৈ সি নিশ্চয় আনিব। মাছ হলেও সি মিছাতো। বৌ, ৰাছ, চিতল, মাগুৰ প্ৰভৃতি সঁচা মাছ পৰিত্যাগ কৰি এই মিছা মাছক আকলুৱাভাৱে দাঁত কামুৰি ধৰিছিলোঁ দেখি, ধৰাৰ ফল হাতে হাতে পালোঁ। তাক মই যেনেকৈ দাঁত কামুৰি ধৰিছিলোঁ, সিও তেনেকৈয়ে মোৰ পেট কামুৰি ধৰিলে। হব পাৰে যে মিছা মাছৰ খাবাই কৃত বা ধৃত পেট কামোৰণিটোও মিছা, কিন্তু পেটৰ বিষত মই ত্ৰিভুৱন দেখাটোতো আৰু মিছা হব নোৱাৰে। এতেকে মিছাৰ এই বিপুল লেনদেনখনৰ ভিতৰত ক'ৰবাত কিবা সঁচা-মিছা, নাইবা মিছা-সঁচাৰ অস্তিত্ব নিশ্চয় আছিল। সেই অস্তিত্ব অবিৰেকী মোৰ খাবাই ধৰা পৰাটোৰ সম্ভৱ নথকা থাবে, বিবেকী আয়ুৰ্ব্বেদবিদ্ বৈদ্যক মতাটোকেই থিৰ কৰিলোঁ।

ষ্টেছনমাষ্টৰজন এংলো-ইণ্ডিয়ান অৰ্থাৎ ইঙ্গ-ভাৰতীয়। পুৱাই তেওঁৰে সৈতে মোৰ আলাপ-পৰিচয় হৈছিল। তেওঁৰ কাষলৈ আহি মোৰ অসুখৰ সংবাদ দিলত, তেওঁ ৰেলৰ ডাক্তৰজনক মতাই আনি মোক চাবলৈ লগালে। ডাক্তৰে মোৰ ৰোগৰ বৃত্তান্ত শুনি দৰৱৰ ব্যৱস্থা কৰি নিজেই এৰ এপালি মোক খুৱাই দি, মোক টলকা মাৰি বিছনাত শুই থাকিবলৈ কৈ গুচি গ'ল। মই সেই ব্যৱস্থা মতে কাৰ্য্য কৰিলোঁ। দৰৱপালি দৰৱ নহল জানিবা,

'হাতে পাশ ধৰি চকু টেৰ কৰি
থুলন্তৰ তাৰ আঙ্গ।
কৃষ্ণ বৰ্ণ কায় দেখি থাতু যায়
হাতত লোহাৰ ডাঙ্গ॥'

এনেকুৱা যমদূতৰ আগত বিষ্ণুদূত হে হল। অলপৰ পিছতে বিষ্ণুদূতৰ দৰে সি

'যমৰ দূতক খেদায়া (মোহোৰ)
কাটিল বান্ধ (পেটৰ)।'

শ্ৰীকৃষ্ণৰ চক্ৰই উত্তৰাৰ উদৰত প্ৰৱেশ কৰি অশ্বত্থামাৰ ব্ৰহ্মাস্ত্ৰৰ কৰ্ণকঠীয়া মাৰি দিয়াৰ দৰে, দৰৱ পালিয়ে মোৰ উদৰস্থ মিছা মাছক নিগুটি কৰি মাৰিলে। গধূলি ডাক্তৰে আকৌ এবাৰ মোক চাবলৈ আহিল। মই তেতিয়া ঘোলকণীয়া হৈ বহি আছোঁ। ডাক্তৰক দেখি মই সন্তোষ পাই তেওঁৰ হাতত ধৰি হাতখন জোকাৰিবলৈ ধৰিলোঁ। লাহে লাহে ডাক্তৰে মোৰ আঁতি-গুৰি আৰু মই কি কামত বিলাসপুৰলৈ আহিছোঁ, ইত্যাদি কথা সুধি মোৰ পৰা উলিয়াই লৈ গুচি গল।

পিছদিনা পুৱা আঠ বজাত ডাক্তৰ ছাইমনক মোৰ কোঁঠালীৰ ভিতৰত আকৌ দেখি মই আচৰিত হলোঁ। মনত হঠাৎ খেলালে তুমি আকৌ ইয়াত কিয়? "Simon go back" অৰ্থাৎ ছাইমন, উভতি যোৱা। কালি তোমাক মই দুটা ভিজিটৰ আঠ টকা দি চাৰিটা মিছা মাছৰ যোলগুণ বেচ দিলোঁ; তথাপি মিচামাছৰ বেচ শোধ নগল নে? এই গোৱা দেশত মিচামাছৰ বেচ ইমান সৰহ নে? ছৱমুৱকৈ এনেবোৰ ভাব মোৰ মনলৈ আহিছে মাথোন, এনেতে ডাক্তৰে মোক গুদমৰ্ণিং বুলি কলে, "আপোনাক পুৱাই দিগ্ কৰিবলৈ আহিলোঁ ক্ষমা কৰিব। মই আপোনাৰ চিকিৎসক হিচাপে অহা নাই। কালি মোৰ আয়ে মোৰ মুখৰ পৰা আপোনাৰ কথা শুনি আপোনাৰে সৈতে দেখা কৰিবৰ হব হেঁপাহ কৰিছে। সেইদেখি আয়ে আপোনাক আমাৰ ঘৰত আজি আবেলি চাৰি বজাত চাহ খাবলৈ মাতিবলৈ মোক পঠিয়াই দিলে। অনুগ্ৰহ কৰি আপুনি আহিলে আমি বৰ সন্তোষ পাম।"

মই খিতাতে চেঁচা হৈ কলোঁ,—"নিশ্চয় যাম। কিন্তু"—

মোৰ মুখৰ কথাষাৰ শেষ নৌহওঁতেই ডাক্তৰে কলে, "চাহ-জলপানত মিচামাছৰ কট্‌লেট্ নাথাকে; ভয় নকৰিব। আৰু মই আপোনাৰ কাষতে থাকিম।"

এইবুলি তেওঁ হাঁহিবলৈ ধৰিলে। হাঁহি খোচৰা ব্যাধি। গতিকে সেই হাঁহিত মোবো হাঁহি উঠিল।

ডাক্তৰজনৰ নামটো জি, এইচ, ছাইমন অৰ্থাৎ গৰ্ডন্ হিৰেট- ছাইমনৰ চোলাৰ মোনা-তাঙৰণ। (Pocket edition)। তেওঁ ইংৰাজ নহয় আৰু আন দেশী য়ুৰোপীয়ও নহয়—মিশ্ৰ। আৰু যে য়ুৰোপীয় আৰু ভাৰতীয় মিশ্ৰ তাতো মোৰ সন্দেহ হ'ল।

আবেলি চাবি বজাত মই ডাক্তৰৰ ঘৰত ওলালোঁ। গৈ। ডাক্তৰ ওলাই আহি মোক আদৰ-অভ্যাৰ্থনা কৰি তেওঁলোকৰ চ'ৰাঘৰত বহুৱাই মাকক খবৰ দিবলৈ ভিতৰলৈ গল। ক্ষন্তেকৰ পিছতে দেখিলোঁ। বয়স ভাটী দিয়া আদহীয়া গাউন পিন্ধা মেম এজনাক লগত লৈ আহি, তেওঁৰ মাক বুলি ডাক্তৰে মোৰে সৈতে চিনাকি কৰি দিলে। আমি দুয়ো বহি কথা পাতিবলৈ ধৰিলো। কিন্তু কিয় কব নোৱাৰোঁ, ডাক্তৰ আমাৰ কাষৰ পৰা গুচি গল। মেম চাহাবে ভঙা ভঙা ইংৰাজীত হিন্দী আৰু উৰ্দ্দুৰ ভেজনি দি মোৰে সৈতে কথা পাতিবলৈ ধৰিলে, আৰু মযো তাল সমানে ৰাখিবলৈ তেনেকুৱা বাৰমিহলি ভাষাকে ব্যৱহাৰ কৰিবলৈ ধৰিলোঁ। কথাৰ মাজতে মাজে মাজে মই ইফালে-সিফালে চাই ডাক্তৰক আৰু দেখা নাপালোঁ। ভাবিলো, ডাক্তৰে আমাক ইয়াতে বহুৱাই থৈ কলৈ গল? মোৰ অৱস্থাটো লক্ষ্য কৰি মেম চাহাবে মোক কলে যে তেওঁৰ পুতেক ৰোগী এটা চাবলৈ গৈছে, অলপপৰৰ পিছতে আহিব। কথাষাৰ কৈয়েই মেম চাহাবে হঠাৎ তেওঁৰ চকিৰ পৰা উঠি আহি, মোৰ আগত আঠু কাঢ়ি মোৰ ভৰিত ধৰি সেৱা এটা কৰিলে। মই চৰগ-পৰা মানুহটো যেন হৈ ৰলোঁ। ক্ষন্তেকৰ পিছত মই মোৰ ভৰি দুটা কোচাই নি থিয় হৈ মেম চাহাবৰ হাতত ধৰি কলোঁ—'ছিঃ ছিঃ। আপুনি কি কৰিছে?' এই বুলি তেওঁক টানি তুলি চকিখনত বহুৱাই দিলো আৰু ব্যাপাৰটো কি বুজিবলৈ তেওঁৰ মুখৰ ফালে উদ্বিগ্ন ভাবেৰে চাই ৰলোঁ। মেম চাহাবে পৰিষ্কাৰ অসমীয়া ভাষাৰে কৈ যাবলৈ ধৰিলে,—যদিও মাজে মাজে দুটা চাইটা বিজাতীয়া ভাষাৰ ছিটিকনি তাত নপৰাকৈ নাছিল। কথাবোৰ যিমান দূৰ মনত পৰিছে, তলত দিলোঁ।—

"দেউতা!

মই আপোনাক মোৰ ঘৰলৈ মাতি অনা বাবে মোৰ দায়-দোষ ক্ষমা কৰিব। কালি মোৰ পোটোৰ মুখে আপোনাৰ কথা শুনাৰে পৰা আপোনাক দেখা পাবলৈ মোৰ হেঁপাহ হৈছিল। মই আপোনাৰ দেশৰে অভাগিনী আৰু জাত-কুল যোৱা মানুহ। দেউতা অসমীয়া আৰু দেউতাবো ঘৰ অসমতে। মযো অসমীয়া আৰু মোৰ ঘৰো অসমতে আছিল। দেউতাক দেখা পাবৰ নিমিত্তে কালিৰ পৰা মোৰ মনটোত উগুল-থুগুল লাগি আছিল। মোৰ জীৱনৰ এনে পৰিৱৰ্ত্তন হোৱাৰ আগেয়ে মই কেইবাৰাবো যে দেউতাক কলিকতাত দেখিছিলো, সেই কথা মোৰ মনত আছে। তেতিয়া দেউতাই কলিকতাৰ কলেজত পঢ়িছিল। মোৰ জীৱনৰ কথাবোৰ ভাঙি নকলে দেউতাই নুবুজে, সেইদেখি সকলোবোৰ আজি দেউতাৰ আগত ভাঙি কম। সেই দেখিয়েই দেউতাক মতাই অনাইছো; আৰু সেইদেখিয়েই মোৰ পোটোক ছল কৰি আন এটা কামলৈ পঠিয়াই দিলোঁ।"

এনেতে মেমচাহাবৰ খানচামাই আমাৰ আগত চাহ-পানী দিলেহি। চাহৰ লগৰীয়া জলপান ইংৰাজী গঢ়ৰ কেক্, ছেণ্ডুইচ ইত্যাদি। মই মেমচাহাবৰ কথা একান্ত মনেৰে শুনি আছিলোঁ। দেখি চাহলৈ মনকে কৰা নাছিলো। মেমচাহাবে মাত লগালে— 'দেউতা! চাহ খাওক।' আৰু ওচৰতে থিয় হৈ থকা খানচামাটোক কলে,—'তোম আভি বাহাৰ যাও। খনানেচে আৱেগা।' খানচামাটো গলতে আমি দুয়ো জলপানত মন দিলোঁ। আৰু লগে লগে মেম চাহাবে নিজৰ কথা আকৌ কৈ যাবলৈ ধৰিলে।

"অনেক কালৰ মূৰত মোৰ কপালৰ গুণত মই মোৰ দেশৰ মানুহ এজনক দেখিবলৈ পাইছোঁ। সেইদেখি মই আজি মোৰ সকলো কথা দেউতাৰ আগত ভাঙি কম। বুঢ়ী হলো; আৰুনো কেইটা দিন জীয়াই থাকিম। মনৰ কথাবোৰ কবলৈ পালে মোৰ মনটো পাতলি যাব। মোৰ ঘৰ পলাশবাৰীত। আমি কোচ কুলীয়া মানুহ। মোৰ বয়স যেতিয়া ষোল কি সোতৰ, আই-বোপায়ে মোক...... ডাঙৰীয়াৰ ঘৰত লিগিৰীৰ কাম কৰিবলৈ থৈ গল। দেউতাই তেখেতসকলক ভালকৈ জানিছিল; কাৰণ মাজে মাজে মই দেউতাক কলিকতাত তেখেতসকলৰ ঘৰত দেখা পোৱা মোৰ এতিয়া মনত পৰিছে। দেউতাই তেতিয়া কলিকতাৰ কলেজত পঢ়িছিল। বোপায়ে মোক দি ডাঙৰীয়াৰ পৰা একুৰি ৰূপ লৈ গল। এবছৰমান মই তেওঁলোকৰ লগত গুৱাহাটী চহৰতে আছিলোঁ। তাৰ পিছত তেওঁলোক কলিকতালৈ আহি বহুবজাৰ ষ্ট্ৰীটত এটা ঘৰ কেৰেয়া কৰি থাকিল। মোকো ডাঙৰীয়ানীয়ে লগতে আনিছিল। কলিকতাত দেউতাক মই আমাৰ ঘৰলৈ যোৱা অনেকবাৰ দেখিছিলো। অৱশ্যে দেউতাৰ নামটো মই নাজানিছিলো। আমি তাতে তিনিমাহ মান থকাৰ পিছত মোক দুৰ্দ্দশাই লগ

নলে। কেনেকৈ, কওঁ শুনক। প্ৰথমতোখৰত মই অকলৈ ঘৰৰ বাহিৰলৈ নোলাইছিলো। ঘৰৰ ভিতৰতে ডাঙৰীয়ানীৰ কাম-কাজ কৰি থকাই মোৰ বাৰ আছিল। লাহে লাহে ডাঙৰীয়ানীয়ে মোক বজাৰ-সমাৰ কৰিবলৈ পঠিয়াবলৈ ধৰিলে। সেয়ে মোৰ কাল হল। বজাৰলৈ অহা-যোৱা কৰোতে অনেক মানুহেৰে সৈতে মোৰ চিনা-জনা হ'ল। সৰহভাগেই দুষ্ট মানুহ। মই ভোদা গাঁৱলীয়া ছোৱালী; আৰু তেতিয়া মোৰ বুধিয়েই বা কি আছিল? নানা দুষ্ট মানুহৰ পালত পৰি মই বেয়া হ'বলৈ ধৰিলোঁ। বজাৰৰ পৰা উভতি আহোঁতে সততে মোৰ বেলি হোৱা দেখি ডাঙৰীয়ানীয়ে মোক দিনৌ গালি পাৰিবলৈ ধৰিলে। গালি খাই খাই মোৰ পেট ঢকাডিঙৰা লাগিল। শেহত ভাবিলো, এনে গালি খাই মই আৰু এইখন ঘৰত নাথাকো। সিফালে দুষ্ট মানুহৰ ফুচুলনিত মোৰ মন টলিল। এজন চীনা মানুহৰ ছলাহত পৰি এদিন মই ঘৰৰ পৰা মনে মনে ওলাই তেওঁৰে সৈতে গুচি গলোঁ। চীনাজনেৰে সৈতে মোৰ গৃহবাস ঘটিল। তেওঁ খৃষ্টান আৰু বাটৈ আছিল। আমি কিছুদিন কলিকতাত থকাৰ পিছত, তেওঁ মোক লৈ বোম্বাইলৈ গল। তাতে জি, আই, পি, ৰেলত তেওঁ তিনি কুৰি টকা দৰমহাত এটা কাম পালে। আমি তেতিয়াৰে পৰা নিগাজীকৈ বোম্বাইবাসী হলোঁহঁক। তাতে মোৰ এই লৰাটো ওপজে। ইয়াক লাহে লাহে ডাঙৰ-দীঘল কৰি লেখা-পঢ়া শিকাই তাতে গ্ৰাণ্ট মেডিকেল কলেজত ডাক্তৰী পঢ়িবলৈ দিলোঁ। তাতে ই ডাক্তৰী পৰীক্ষাত উঠি ৰেলৰ ডাক্তৰ হৈ, আজি এবছৰ হল, এই বিলাসপুৰতে আছেহি। ঈশ্বৰৰ অনুগ্ৰহত এতিয়া আমাৰ অৱস্থা ভাল। লৰাটোৱে মাহে তিনিশ-চাৰিশকৈ আৰ্জিছে। ভাল ডাক্তৰ বুলি ইয়াত তাৰ নামো হৈছে।

মোৰ মনত সদায় এটা কথাত বৰ দুখ। মই যেতিয়া কলিকতালৈ আহোঁ, তেতিয়া ঘৰত মোৰ আই আৰু ককাই এটা আছিল। এতিয়া সিহঁত জীয়াই আছে নে মৰিল, আৰু আছে যদি কি কৰিছে, মই একোকে নাজানো। যদি জীয়াই আছে, আইক এবাৰ মোৰ চাবৰ বৰ মন গৈছে। কিন্তু কোনে মোক আইৰ কাষলৈ লৈ যাব, আৰু কেনেকৈ বা যাওঁ, একো ঠিক কৰিব পৰা নাই। মোৰ ঘৰৰ কথা আজিলৈকে মোৰ পোক মই কোৱা নাই। সি মাথোন মোক অসমৰ কালৰ মানুহ বুলি জানে। মোৰ গিৰিহঁত চুকাবৰ আজি দুবছৰ হ'ল। যদি মোৰ আইৰ বাতৰিটো আপুনি মোক কোনোমতে আনি দিব পাৰে, মোৰ মনটো যে কি শীতল হয়, মই আৰু কি কম। এতিয়া আইক মই মাহে মাহে ধনেৰেও সহায় কৰিব পাৰিম।"

এই বুলি বুঢ়ীয়ে চকুলো টুকিবলৈ ধৰিলে। মই তেওঁক দুষাৰ-চাৰিষাৰ কথাৰে সান্ত্বনা দি, তেওঁৰ মাকৰ ভু উলিয়াবলৈ চেষ্টা কৰিম বুলি কলত, তেওঁ এখন এশ টকাৰ লোট উলিয়াই মোৰ হাতত দি ক'লে,—'দেউতাই যদি মই পঠিয়াই দিছো বুলি কৈ মোৰ আইক এই ৰূপ শ দিয়ে তেন্তে বৰ কথা হয়।'

মই নোটখন নলৈ কলো,—'এতিয়া নোট খন আপুনি থৈ দিয়ক। মই উভতি গৈ আপোনাৰ মাকৰ ভু-খবৰ লওঁ; তাৰ পিছত আপোনালৈ মই চিঠি লেখিলে ৰূপ শ আপুনি ডাকত পঠিয়াই দিব। পলাশবাৰীত নো আপোনালোকৰ ঘৰৰ ঠিকনা কি?'

তেওঁ কলে—'ঠিকনা পলাশবাৰী। আমাক লয়না টেকেলাৰ ঘৰ বোলে। মই গুৱাহাটীত থাকোতেই মোৰ বোপাই মৰিল।'

ইয়াৰ পিছত মই বুঢ়ীৰ পৰা বিদায় লৈ উঠোতেই বুঢ়ীয়ে কলে, "দেউতা! বহক, আৰু এটা কথা আছে। কালি মোৰ পোটোৱে আপোনাৰ পৰা ৮৲ টকা ৰূপ ভিজিট বুলি আনিছিল। সেই টকাটো মই নাবাখো। আপোনাৰ পৰা ভিজিট লব নাপায়। আপুনি মোৰ অসম দেশৰ মানুহ। আপোনাক এই বিদেশত ইমান দিনৰ মূৰত দেখি মোৰ জনম সাৰ্থক হল।" এইবুলি বুঢ়ীয়ে আঠ টকা ৰূপ মোৰ আগত থলে। মযো টকা কেইটা লব নোখোজো, নললে বুঢ়ীয়েও নেৰে। শেষত টকাকেইটা বুঢ়ীয়ে বলেৰে মোৰ চোলাৰ মোনাত সুমাই দিলত, মই বাধ্য হৈ গুচি আহিলোঁ।

মই গুৱাহাটীত খবৰ কৰি লয়না টেকেলাৰ ঘৰৰ কোনো ভু-খাতৰি উলিয়াব নোৱাৰি, পিছত বুঢ়ীলৈ বিলাসপুৰৰ ঠিকনাত চিঠি লেখি দিলোঁ। আৰু সেইখিনিতে সেই ঘটনাৰ ওৰ পৰিল। *

* (শ্ৰীতাৰক চন্দ্ৰ শৰ্মা সঙ্কলিত 'গল্পমালাত' প্ৰকাশিত)

[illegible]

তেতিয়া মই মিছন বঙলাত। তাত ছবছৰ থকাৰ পিছত, যেতিয়া মিছনৰিসকলৰ ইচ্ছানুসাৰে মই সেই বঙলাৰপৰা উঠিবলগীয়াত পৰিলোঁ, তেতিয়াহে নিৰুপায় হৈ মই মোৰ বৰ্ত্তমান ঘৰটো কিনি লৈ ইয়ালৈ স্থানান্তৰিত হলোঁ। এইটো আজি সাত বছৰৰ আগৰ কথা। আজি যিটো ঘটনাৰ বিষয়ে লিখিবলৈ লৈছো, সেইটো ৯ বছৰৰ আগৰ।

ঘামকালি সম্বলপুৰত গৰমৰ কথা 'কহতব্য' নহয়। তাপমান-যন্ত্ৰই এপ্ৰিলৰ শেহৰপৰা জুনৰ মাজভাগৰলৈকে ১১৪ ডিগ্ৰী তো জুখি দিয়েই, তাৰ ভিতৰতে এসপ্তাহ দুসপ্তাহ সম্বলপুৰীয়া 'খৰিদাৰ'ক দুই-তিনি ডিগ্ৰী 'ফাও' অৰ্থাৎ উপৰি লগাই দি সন্তুষ্ট কৰিও থবলৈ নাপাহৰে। ফাওৰ দিনকেইটাক অকল গৰম বা বৰ গৰম বুলিলেই তাৰ সঠিক বৰ্ণনা নহয়। যদি সম্বলপুৰত আখাৰ ওপৰৰ চৰু বোলা যায়, মানুহবোৰক চৰুৰ ভিতৰত থকা আলুগুটি বোলা যায়, ৰ'দক তাপ আৰু গৰমক ভাপ (Steam) বোলা যায়, তেনেহলেহে বৰ্ণনাটো বজিতা খায়। আখাৰ চৰুত সম্বলপুৰীয়া আলুগুটিবোৰ তুলি দি সূৰ্য্যদেৱতাই সিজাই কি কৰে, তেখেতেহে জানে। স্বৰ্গত জাতি-বিচাৰ আৰু খাদ্যাখাদ্যৰ বিচাৰ আছেনে নাই, নাজানো। বুভুক্ষু দেৱতাসকলৰ কাৰ্য্যৰ সমালোচনা আৰু তাৰ সন্তোষজনক মীমাংসা নৰ-বনিচৰ দ্বাৰাই হোৱাটো সম্ভৱ নহয়। সেই অপৰিমিত ঘামৰ দিন কেইটাত, অকল যে গমন জীৱ কেইটাকে বুভুক্ষিত দেৱতাসকলে এনেকৈ ব্যৱহাৰ কৰে, এনে নহয়; উৰণ-বুৰণ আৰু গজনকো সাধবে। সৰ্ব্ব-ভুক ক্ষুধিতৰ 'খানাৰ মেজ'ত মাছ-মঙহেৰে সৈতে শাক, পাচলি, আচাৰ, চাটনি থকাটো ভোজন-শাস্ত্ৰ সন্মত। চিন্তাশীলৰ চিন্তাৰ গুৰিত যোগান ধৰিবলৈ 'ছালফাৰ্' অৰ্থাৎ গন্ধক লাগে; সেইটো মাছে যোগায়; বলীৰ বলবৰ্দ্ধন কৰিবলৈ মাংসপেশীৰ আৱশ্যক; সেইটোৰ যোগান ধৰে দ্বিপদ চতুষ্পদে। তাৰ উপৰি শৰীৰৰ লাৱণ্য, সৌন্দৰ্য্য, সুষমা আৰু শক্তিবৃদ্ধি প্ৰভৃতি কিছুমান অত্যাৱশ্যকীয় সমলৰ সকাম; সেইবোৰ 'এ'ৰ পৰা 'চি' লৈকে ভিটা-মিন্ ভাববোৰা ভাৰী উদ্ভিদজাতীয় জীৱবোৰে যোগায়। এনেস্থলত দেৱতা প্ৰভুসকলৰ বৃহৎ শাসন যন্ত্ৰটো প্ৰজাৰ মঙ্গলামঙ্গলৰ অৰ্থে এই ভূমণ্ডলত সৰ্ব্বসৰীয়া হৈ নচলিবৰ কাৰণ নাই। খাদ্যত থকা 'ভিটামিন'ৰ ভু আমি মানুহে আজি বছৰ-চেৰেকৰ আগৰ পৰাহে অনেক গমি-পিটিকি চাই-চিন্তি উলিয়াই জানিছোঁ, আৰু সেইবোৰ ভিটামিনৰ শাক-পাচলি, লাওটো-বেঙেনাটো হেঁপাহত কেঁচাই হওক পকাই হওক, পাকস্থলীলৈ পঠিয়াইছোঁ—যদিও স্বভাৱৰ প্ৰেৰণাত সেইবোৰ আমি বাবওটিকাল পুৰণি কালৰেপৰা খায়েই আহিছোঁ, তথাপি স্বৰ্ণ-খচিত মকৰধ্বজত সোণ থকাটোৰ ভু ওলালতহে যেনেকৈ তাক সবহকৈ বেচ দি আজি আমি কিনি খাওঁ, সেইদৰে সেইবোৰ খাদ্যত অমুক তমুক ভিটামিন থকাৰ কথা ভু পাই সেইবোৰলৈ আমাৰ খাউতি বাঢ়িছে। সৰ্ব্বজ্ঞ দেৱতাসকলে কিন্তু উৰণ, বুৰণ, গজন গমন জীৱৰ ভিতৰত থকা ভিটামিনৰ খবৰ কোটি কালৰ আগৰে পৰা পাই সেইবোৰ মহতিয়াই মূচৰি-সামৰি ব্যৱহাৰ কৰি আহিব লাগিছে। সম্বলপুৰত আজিকালি দেৱতাসকলে দুবৰি বনৰ পাত এটাত থকা ভিটামিন ফেৰাও নেৰে। ক্ষুধিতৰ উপদ্ৰৱৰ পৰা আত্মৰক্ষা কৰিবৰ অৰ্থে সম্বলপুৰ নিবাসীয়ে অনেক প্ৰবন্ধ কৰে। নতুবা আজি সম্বলপুৰত, বুভুক্ষুৰ পেটত জীৰ্ণ নোহোৱা শিলখাট আৰু বালিৰ বাহিৰে আন একো অধিবাসী নাথাকিলহেঁতেন। ঘামৰ বিৰুদ্ধে ঘোষিত সংগ্ৰামত প্ৰধানকৈ তিনিটা Tactics অৰ্থাৎ যুদ্ধকৌশল অৱলম্বন কৰা হয়। প্ৰথমটো—তিতা গামোছা এখনেৰে মূৰটো মেৰাই থোৱা; আৰু গামোছাখন শুকাই গলে আকৌ তিয়াই চেপি লৈ সেই কাৰ্য্যত পুনঃ পুনঃ প্ৰবৃত্ত হোৱা। এইটোক ইংৰাজীত 'গেৰিলা ৱাৰফেয়াৰ' বুলিব পাৰি। উত্তমাঙ্গ দুৰ্গ সংৰক্ষণৰ এইটো প্ৰকৃষ্ট উপায়। মূৰত গণ্ডগোল লাগিলে সকলো গ'ল। দ্বিতীয়টো—তিতা কাপোৰেৰে সৰ্ব্বাঙ্গ ঢাকি ৰখা। মূৰেৰে সৈতে শৰীৰৰ আনবোৰ অঙ্গকো বিজ্ঞ সেনাপতিয়ে সমান চকুৰে চায়, তাৰ পক্ষে এই কৌশল। বাহিৰলৈ ওলাবলগীয়াবোৰে বাইকৈ প্ৰথমটো কৌশল অৱলম্বন কৰে। ৰ'দত বাহিৰলৈ নোলালেও চলাবোৰেও যে ঘৰৰ ভিতৰত দুৱাৰ মাৰি থাকি সেইদৰে নিজক 'ডবল' কৱচাবৃত কৰি নাৰাখে এনে নহয়। তেওঁলোকৰ শয়ন খাটত নহয়, হয়—ভূমিত মাদুৰিবনৰ কণ্ঠৰ ওপৰত। তেওঁলোকে সবিতা দেৱতাক সংগ্ৰামত হৰুৱালেও চেৰেপা মাখি আৰু সৰু সৰু কেৰেলুৱাৰ হাতত ব্যতিব্যস্ত নহৈ নাথাকে। বৃহৎ জীৱন-যুদ্ধত এই শ্ৰেণীৰ খণ্ডযুদ্ধও অপৰিহাৰ্য্য। মজলীয়া তৰপৰ মানুহে হাতেৰে বিচনী চলায়। যাৰ ধনে দুই মূৰৰ জোৰা মাৰিব পাৰে, যি ঘৰৰ ভিতৰত পাখা আৰি লগাই লৈ, পাখাটনা কুলিৰ হতুৱাই পাখা টনাই ধৰ্ম্মযুদ্ধত প্ৰবৃত্ত হয়। বিজুলীৰ পাখা সম্বলপুৰত বিৰল। নাস্তি বুলিলেই হয়।

ওপৰত বিৱৰণ দিয়া মানুহৰ কোন শাৰীত এই লেখক পৰে কব নোৱাৰোঁ। আত্মৰক্ষাৰ নিমিত্তে সম্বলপুৰত তেওঁ ঘামকালি পাখা টনা মানুহ এটা জোৰা কোলা মাৰি ৰাখি কোনোমতে দিন কটাবলগীয়াত পৰে। মোৰ এই উপাখ্যানৰ বছৰতো ঘামে খাওঁ খাওঁ কৰি মুখ মেলি অহা যেতিয়া দেখিলোঁ, মোৰ চাপৰাচী এটাক পাখা টনা মানুহ এটা বন্দবস্ত কৰি আনিবলৈ হুকুম দিলোঁ। পিছদিনা পুৱা ন-দহ বছৰীয়া লৰা এটা সি লগত লৈ মোৰ ওচৰত উপস্থিত হলহি; আৰু কলে 'হজুৰ! পাখাৱালা আগিয়া।' মই লৰাটোক দেখি চাপৰাচীক কলো, 'এই ভেটেগুটি লৰাটো তই উৰলিবলৈ আনিছ নেকি?'

যদিও মোৰ কথাষাৰ বেওঁচনীয়া তথাপি সি তাৰ মৰ্ম্ম বুজি কলে—'নহয় হুজুৰ। ই ঠিক পাখা টানিব পাৰিব। লৰাটো বৰ হচিয়াৰ। দিনৰ দহ বজাৰপৰা পাঁচ বজালৈকে ই যদি একেৰাহে পাখা নাটানে, তেন্তে তাৰ বাবে মই জগৰীয়া।' তাৰ উত্তৰ শুনি মই কৃমলি গৈ লৰাটোক মোৰ ওচৰলৈ মাতি আনি সুধিলোঁ, সি পাখা টানিব পাৰিবনে? সি হাতযোৰকৈ, অথচ দৃঢ়ভাৱে উত্তৰ দিলে, 'অৱশ্যে পাৰিম। মোৰ কাম দেখি মোক দৰ্ম্মহা দিব।' মই সুধিলোঁ, তাৰ দৰ্ম্মহা কিমান? চাপৰাচীটোৱে উত্তৰ দিলে, চাৰি টকা। লৰাটোৰ মুখখনত এটা কিবা অনিৰ্ব্বচনীয় আকৰ্ষণ আছিল। মই তাক কলোঁ, 'তই যদি ভালকৈ কাম কৰ মই এমাহৰ মূৰতে তোক আৰু এটকা দৰ্ম্মহা বঢ়াই দিম।'

লৰাটোৱে এই কথা শুনি আনন্দ মনেৰে মোক নমস্কাৰ কৰি কলে—'হুজুৰ, জোহাৰ'। সি মোৰ হুকুমলৈ অপেক্ষা নকৰিয়েই ততালিকে মোৰ মূৰৰ ওপৰত থকা পাখাখনৰ জৰীডালত ধৰি টানিবলৈ ধৰিলে। মই তাক হাক দি কলোঁ, যে এতিয়া সিমান গৰম পৰা নাই, দহ বজাৰ পৰা পাঁচ বজালৈ টানিলেই হব। 'এতিয়া তই ঘৰলৈ গৈ কিবা কিবি খাই আহগৈ।'

সি কলে, 'হুজুৰ। মোৰ আয়ীয়ে মোলৈ পখাল আনিছে, তাকে মই খাম; এতিয়া আৰু ঘৰলৈ নাযাওঁ।' এই ফালৰ ভাষাত, আয়ী মানে বুঢ়ী আই; পখাল মানে পঁইতা ভাত।

মই সুধিলোঁ, 'তোৰ আয়ী ক'ত আছে?'

সি কলে, 'হুজুৰৰ চৌলৰ দুৱাৰ মুখতে থিয় হৈ আছে।'

মই তাক তাৰ আয়ীক মাতি আনিবলৈ কলত, সি লৰি গৈ মাতি আনিলে। দেখিলোঁ, লাখুটিত ভৰ দি আশী কি নব্বৈ বছৰীয়া বুঢ়ী এজনী মোৰ কাষলৈ থৰকবৰককৈ আহিছে। তাইৰ পিঠিত কুঁজ, ভৰি থৰকবৰক আৰু মুখৰ ছাল শোতোৰা-শোঁতোৰ হৈ ওলমি পৰিছে। মূৰৰ চুলিবোৰ শণপাট যেন শুকুলা, মুখ শাওবৰণীয়া, কিন্তু চকু দুটা হলে ট-ট কৰে জলা। তাই কথা কওঁতে দেখিলো, তাইৰ দাঁত এটাও নবা নাই, কিন্তু কষ গৈ গৈ আলুৰ ওচৰ পাইছেগৈ। মই তাইক সুধিলোঁ, "এইটো তোৰ নাতি নে?"

তাই মূৰটো দুপিয়াই মোৰ ফালে চাই কলে—'হয় হুজুৰ।'

'ই কাম কৰিব পাৰিব নে?'

'কিয় নোৱাৰিব হুজুৰ? কাম দি চাওক।'

'তোৰ ঘৰ ক'ত?'

'ইয়াৰ পৰা এক ক্ৰোশ বাট হব।'

'তোৰ কোন আছে?'

"কোনো নাই। এজনী জী আছিল, তিনি-চাৰি দিনীয়া দৰণি বাটত তাইক বিয়া দি উলিয়াই দিবৰ আজি কুৰি বছৰৰ ওপৰ হ'ল, আজিলৈকে তাইক আৰু চকুৰে নেদেখিলোঁ—মৰিলেই নে জুজি-লেই কব নোৱাৰোঁ। এই ল'ৰাটোৰ বাপেক মোৰ একেটা পো আছিল। সিয়ো মৰি মোক এৰি যাবৰ আজি পাঁচ বছৰ হ'ল। সেই বৰ মাউৰৰ বছৰি মাউৰত পৰি মৰিল হুজুৰ। সি মৰা দুদিনৰ পিছতে পো-বোৱাৰীজনী মোৰ ঘৰৰপৰা ওলাই গুচি গ'ল। পিছত শুনিলো, তাই আন এটাত সোমালগৈ হেনো। তেতিয়াৰে পৰা এই লৰা পোৱালিকণক মই বুকুত বান্ধি লৈ তুলি-তালি ডাঙৰ দীঘল কৰিছোঁ।"

মই বুঢ়ীক সুধিলোঁ—'তই বুঢ়ী মানুহ। ইমান বাট ইয়াৰে লৈতে আহিলি কিয়?'

তাই কলে—'কি কৰিম হুজুৰ, টকটকাই নুকুৰিলে যে বুঢ়ীৰ কংকাল পৰিব। লাওটো, বেঙেনাটো, হাঁহকণী-কুকুৰা-কণীটো গাঁৱৰ পৰা বিচাৰি খোচাৰি আনি বজাৰত বেচি, এমুঠি চাউল আনি বজাৰত বেচি, এমুঠি চাউল লৈ গৈ এই লৰা-টোক এগাল ভাত খুৱাওঁ আৰু ময়ো খাওঁ। নহলে জীমহঁক কেনেকৈ? ইয়াক নেদেখিলে মই থাকিবকে নোৱাৰোঁ হুজুৰ। আজি হুজুৰক মই ইয়াকে গতালোঁ। হুজুৰৰ কাষত থাকিলে মোৰ আৰু ভাৱনা-চিন্তা নাই। হুজুৰ মাউৰাৰ মা-বাপ। মই দিনৌ ইয়াক লগত লৈ ইয়াত থৈ যামহি আৰু বজাৰৰ ফালৰ পৰা উভতি গধূলি ইয়াক ঘৰলৈ লৈ যাম। দুখৰ কথা কতনো কম হুজুৰ। মোৰ পোটো মৰিবৰ দিনৰ পৰা গঞা মানুহৰ মোৰ ওপৰত খিয়াল বাঢ়িল। কিয় যে কব নোৱাৰোঁ। এবাৰ ছাগলী এজনী পুহিছিলোঁ। ভাবিছিলোঁ, ছাগলীজনীৰ পোৱালী হলে, এই লৰাটোৱে গাখীৰ খাব, আৰু পোৱালীবোৰ ডাঙৰ-দীঘলকৈ বজাৰত বেচি দুই-চাইটকা কপ পাম। তাবেই আনি কোনোমতে দিনদেক খাই-মেলি থাকিব পাৰিম। কিন্তু গাঁৱৰ মানুহে হিংসা কৰি ছাগলীজনীৰ ঠেং এটা ভাঙি দিলে। ছাগলীজনী মৰি থাকিল। তাইৰ মতা পোৱালি এটা হৈছিল। মাক-মৰা পোৱালিটোক বৰ আপদাল কৰি তুলি তালি ডাঙৰ কৰিছিলো। ই তাৰে লৈতে দিনৌ উমলি তাক বুকুত বান্ধি লৈ ফুৰিছিল। ছাগলি পোৱালিটো ডাঙৰ হলত,

তাক কাটি খাবলৈ গাঁৱৰ ডেকা লৰা কিছুমান বুধি পাঙিবলৈ ধৰিলে। প্ৰথমতে সিহঁতে মোক ধৰিলে যে সিহঁতে এটা ভোজ পাতিব খুজিছে, তালৈকে সিহঁতক এটকা কপত ছাগলীটো বেচি দিব লাগে। মই কথাটো শুনি জিক্‌জিকাই উঠিলত, সিহঁতে মোক গালি পাৰি, হমিয়াই গুচি গল। এদিন মোৰ এই পোনাকণে গাঁৱৰ গঁড়া * লৰা এটাৰে সৈতে ধেমালি কৰি থাকোঁতে দুইৰো দণ্ড লাগি মৰামৰি হল। এই কথা গাঁৱত ৰাষ্ট্ৰ হলতে, এটাইবোৰ গএগ্ৰা মানুহে মোক হেঁটি ধৰি কলে, যে তোৰ লৰাৰ জাত গল, আৰু তোৰও জাত গ'ল। তোৰে সৈতে আমি কোনেও চোৱা-গজা কৰি খোৱা-লোৱা নকৰো। যদি তই একুৰি কপ খৰচ কৰি আমাক ভোজ খুৱাই জাতত উঠিব খোজ, উঠিব পাৰ। কথাটো শুনি মোৰ চুলিৰ আগে জীৱ গ'ল। মই কলোঁ, মোৰ খাবলৈকে ভাত নাই; মাগি-খুজি কোনোমতে এগাল খাই দুই মা-পো জীয়াই আছোঁ। কৰপৰা মই একুৰি কপ দিবলৈ পাম। সিহঁত দুখীয়াৰ দুখ পতিওৱা মানুহ নহয় হজুৰ। সিহঁতে আৰু বৰকৈ হেঁচি ধৰি মোক এথৰীয়া কৰিলে। শেহত মই গএগ্ৰা মানুহৰ আগত আঁঠু লৈ কলোঁ, যে "মোৰ ধন নাই। ছাগলীটোকে দিছোঁ, তাৰেই তেওঁলোকে যি ভোজ-ভাত খাব খুজিছে, দিহা-পোহা কৰি খাওক। মোৰ হাতত একুৰি কপ ওলোৱাটো দূৰৰ কথা, মাক কাটিলেও কুৰি টোপা তেজ নোলায়।" সিহঁতে অনেক বোল-মাত কৰি, শেহত মোৰ কথাতে মান্তি হৈ মোৰ ছাগলী পোৱালিটো লৈ গৈ কাটি ভোজ-ভাত খাই মোক জাতত তুলিলে। মই ইমানকৈ সহি জাতত উঠিলোঁ মাথোন এই বাবে, যে মই মৰিবৰ সময়ত মুখত পানী এটোপা পাম, আৰু মৰিলে শটোৰ ওপৰত মাটি এগৰাহি পৰিব, এই বুলি।'

কথাৰ অন্তত, বুঢ়ীয়ে তাইৰ জেকা চকু মচিবলৈ ধৰিলে। তাইৰ নাতিযেক মোৰ পাঙ্খাবালাৰ কামত 'বাহাল হ'ল'। তাৰ নামটো কি বুলি সুধিলত, লৰাটোৱে কলে 'দচ্‌মন্তৰ'। মই নামটোৰ অৰ্থ ভেদ কৰিব নোৱাৰি ভাবিবলৈ ধৰিলোঁ, শেহত মোৰ মনত খেলালে যে, দচ্‌মন্তৰ দুষ্মন্তৰ অপভ্ৰংশ। ইহঁতৰ মুখত পৰি দুষ্মন্ত দচ্‌মন্তৰ হৈছে।* মোৰ মীমাংসা মিছাও নহয়; কাৰণ, মই দেখিছোঁ, সম্বলপুৰৰ ফালে বিশেষকৈ গাঁৱত, মানুহৰ ৰামায়ণ, মহাভাৰতৰ পৌৰাণিক নামবোৰ থোৱাটো বৰ প্ৰচলিত। গাঁৱলৈ গলেই তাত মানুহৰ নাম শুনিবা—যুধিষ্ঠিৰ, ভীম, নকুল, সহদেৱ, দুৰ্য্যোধন, কৰ্ণ, সীতা, লক্ষ্মী, সাবিত্ৰী, সত্যভামা, ৰুক্মিণী, সুভদ্ৰা, দময়ন্তী ইত্যাদি। আন নালাগে মোৰ ঘৰতে মোৰ উৰিয়া কৰ্ম্মচাৰী আৰু লগুৱাৰ নাম আছে ভুৰিশ্ৰবা, অৰ্জ্জুন, সাত্যকী, সঞ্জয় ইত্যাদি।

লৰাটোৱে সুন্দৰকৈ কাম কৰিবলৈ ধৰিলে। সাধাৰণতঃ পাঙ্খাৱালাই অলপ টানিয়েই পাঙ্খাৰ জৰীত ধৰি কলমুটিয়াবলৈ ধৰি বতাহ খোৱাজনক বৰ আমনিত পেলায়। ফলত, উগ্ৰমূৰ্ত্তিসকলৰ হাতত সি মাৰ খায়, আৰু য়ুৰোপীয় কোনোৰ হাতত তাৰ অৰ খাপৰি ফাটি যায়। কিন্তু মোৰ দুষ্মন্ত পাঙ্খাচালকে দহ বজাৰপৰা পাঁচ বজালৈকে একেৰাহে সমানে পাঙ্খা টানে। সি টেঙৰালি কৰাটো তো দূৰৰ কথা, ইমান অণ্ঠে-কণ্ঠে শুকুৱা ঘামতো সি এবাটি পানী খাবলৈ উঠি নাযায়। তাৰ গঢ় দেখি বৰং আমি নিজেই তাক পানী খাবলৈ দুবাৰ তিনিবাৰকৈ পঠিয়াই দিওঁ। সি পানী খোৱা তুৰন্তে শেষ কৰি আকৌ পাঙ্খাৰ জৰীত হাত দিয়েহি।

তাৰ বুঢ়ী মাকে দিনো দহ বজাত তাক আমাৰ ঘৰত থৈ যায়হি, আৰু গধূলি লগত লৈ গুচি যায়গৈ। লাহে লাহে দুষ্মন্ত আৰু তাৰ বুঢ়ী মাক আমাৰ প্ৰিয়পাত্ৰ হৈ পৰিল। কোনো দিনা মোৰ মন প্ৰসন্ন থাকিলে, বুঢ়ীক ওচৰতে বহুৱাই লৈ তাইৰ মুখৰ পৰা সাধুকথা শুনো। তাই ৰামায়ণৰ কথাকে সৰহকৈ কৈছিল। সীতা আইৰ দুখৰ কথা কওঁতে কওঁতে তাইৰ চকু সেমেকি পৰে। আমাৰ অসমীয়া আই-বুঢ়ীআয়ে সীতাৰ দুখ বৰ্ণাওঁতে যেনেকৈ কেতিয়াবা গায়—

"ডালৰ হনুমন্তই কান্দিব লাগিছে
সীতা আইৰে দুখ দেখি।"

সেইদৰে বুঢ়ীয়েও তাইৰ বৰ্ণনাত এফাকি দুফাকি উড়িয়া পদ মাতি তাত জীপ্ দি লৈছিল। মুঠতে বুঢ়ীজনীক আমাৰ বৰ ভাল লাগিছিল। দুষ্মন্তও আমাৰ আগত নিঃসঙ্কোচ হৈ উঠিছিল। এদিন সি পাঙ্খা টানোতে তাক কিবা গুণ্‌গুণোৱা শুনি, মই সুধিলোঁ, 'কি গাইছ?' সি কলে, তাৰ দেশৰ উড়িয়া গীত। মই ধৰকৈ গা শুনো বুলি কলত, সি গালে কিবা 'ডাল খাই' ইত্যাদি এটা গাঁৱলীয়া গীত। গীতটোৰ কথাবোৰ মোৰ ভাল নালাগিল বুলি তাক কলত, সি আন এটা আৰম্ভ কৰিলে—

"আস হে ৰসৰঙ্গিনী
শ্যাম সোহাগিনী,
কুঞ্চিত কুন্তলা।" ইত্যাদি।

আৰু এটা গাবলৈ কলত সি গালে—

"দিনে বনমালী যাউছিলা খেলি,
কদম মূলক হেলে।

* গঁড়া বা গণ্ডা এইফালে অস্পৃশ্য জাত

বৃষভ নন্দিনী তমাকু আসিলা
বেণী নয়নে দেখিলে।

কৃষ্ণ হৰষমন।
হৰাই পাইলি ধন,
কৃষ্ণ হৰয মন।"

এদিন তাক সুধিলোঁ, তোৰতো উড়িয়া গীত শুনিসোঁ; বঙলা গান জাননে? সি উত্তৰ দিলে, এটা মাথোন জানো। মই সেইটোকে গা বুলি ক'লত সি গালে—

"বজাৰে চিকন তালা।
বঙ্গাৰে চিকন তালা।
মন প্ৰাণ হোৰে নিল,
পাইযে অবেলা॥"

মোৰ হাঁহি উঠিল। বুজিলো, যে তলত দিয়া এই গানটোৰেই তাৰ মুখত পৰি এনে আকৃতি ধৰিছে—

"ব্ৰজাতয়ে চিকণ কালা।
মন প্ৰাণ হৰে নিল,
পাইযে অবলা॥"

এইদৰে দুমাহমান গ'ল। সম্বলপুৰত মানুহৰ ঘৰে ঘৰে আই ওলাবলৈ ধৰিলে। বজাৰ আৰু বস্তিৰ ফালে দিনৌ দুই চাইটাকৈ মানুহ সেই ৰোগত পৰি সিফলীয়া হল। এমাহৰ ওপৰে সম্বলপুৰ চহৰখন আয়ে গৰকি, তাৰপৰা যথেষ্ট বৰঙণি তুলি লৈ, তাৰ পিছত চাৰিওফালৰ গাঁৱত সোমাল। মোৰ যিটো বহুদিনীয়া চাপৰাচীয়ে পাখাটনা লৰাটো আনি দিছিল, তাৰ গাঁৱত সেই ৰোগৰ প্ৰভাৱত পৰি সিও মৰিল। দিনৌ এটা দুটাকৈ মানুহ সেই গাঁৱত মৰিবলৈ ধৰিলে। দুষ্মন্ত আৰু তাৰ বুঢ়ীমাকৰো ঘৰ সেই গাঁৱতে। গাঁৱৰ মানুহে পূজা-পাতল দি আইক সন্তুষ্ট কৰি গাঁৱৰপৰা উলিয়াই দিয়া চেষ্টাৰ লগে লগে আৰু এটা থিৰ কৰিলে যে সেই গাঁৱলৈ আইক মাতি অনাৰ গুৰিত হৈছে দুষ্মন্তৰ বুঢ়ীমাক। তাই ডাইনী। তাই লোকৰ অনিষ্ট কৰিবৰ মনেৰে ভূত পোহে। এইটো সন্দেহে অনেক দিনৰ পৰা সিহঁতৰ মনত ঠাই লৈছিল, এতিয়া সন্দেহটো প্ৰথমতে গলাগোপা হৈ তাৰ পিছতে প্ৰমাণিত কথা বুলি গলগলীয়াভাবে বিয়পি পৰিল। সিদ্ধান্ত হ'ল যে, ডাইনী বুঢ়ীক মাৰি পেলোৱাটোৱেই কৰ্ত্তব্য কাৰ্য্য, নতুবা গাওঁ উজাৰ হব। উদ্ধত ডেকা গোটাচেৰেকে এদিন ৰাতি বুঢ়ীক টঙনিয়াই মাৰি বুঢ়ীৰ ঘৰৰ ভিতৰতে গাঁত খানি তাইৰ শৰটো পুতি থলে। দুষ্মন্তই হঠাৎ বুঢ়ীমাকৰ এনে ভয়ঙ্কৰ অৱস্থা দেখি, তাকো মাৰে বুলি ভয়ত সেই ৰাতিয়েই পলাই ওচৰৰ হাবিত সোমাই লুকাই থাকিল।

পিছদিনা দোকমোকালিতে দুষ্মন্তই জিলালৈ আহি পুলিচত এই নৃশংস কাণ্ডৰ খবৰ দিলত, পুলিচ গৈ তেতিয়াই গাঁৱত সোমাই দুষ্মন্তৰ চিনাক্তমতে চাৰিটা মানুহ ধৰি আনি হাজোতত সুমালে, আৰু বুঢ়ীৰ 'লাচ'টো খান্দি আস্পতাললৈ আনিলে। কিছু দিনৰ পিছত মানুহ কেইটাৰ আদালতত চেছনৰ বিচাৰ হল। বিচাৰত এটাৰ ফাঁচীৰ, দুটাৰ কলীয়া-পানীৰ আৰু এটাৰ তিনি বছৰ কঠোৰ পৰিশ্ৰমেৰে সৈতে ফাটেকৰ হুকুম হ'ল।

এই বিচাৰৰ পিছত দুষ্মন্তক তাৰ গাঁৱত, আৰু সম্বলপুৰ চহৰতো কোনেও বিচাৰি নাপালে। সম্ভৱতঃ ঘৃণা আৰু মৰ্ম্মান্তিক বেজাৰত সি দেশত্যাগী হ'ল। দুষ্মন্তৰ ওপৰত আমাৰ সকলোৰে বৰ মৰম সোমাই-ছিল। আজিও যদি সি কৰবাত ভালে-কুশলে থকা বাতৰি পাওঁ, বৰ সুখ পাম।*

* (বাঁহী, ২০শ বছৰ, ১১শ সংখ্যা, ফাগুন, ১৮৫৩ শক)

ৰাৰীচোৰা

কথাতে কয় বোলে,—বুঢ়ীৰ হাতত কাম-বন নাথাকিলে, বুঢ়ীযে কৰে কি? কিবা এটা কৰিব লাগিবই তো। সেইদেখি বুঢ়ীয়ে শাকতে জাকৰ পেলাই লৈ বহি বাছে। মোৰো হাতত আজি ধন-বাৰি একো নাই; সেইদেখি বহি মোৰ ৰাৰী-চোৰা-হঁতৰে চৰিত্ৰ-অঙ্কন কাৰ্য্যত লাগি গলোঁ। আগেযে মোৰ দ্বাৰাই ভালকৈয়েই বা বেয়াকৈয়েই ৰচিত, বিৰচিত অঙ্কীয়া-নাটৰ ভিতৰত ৰজা সোমাইছে, প্ৰজা সোমাইছে, ৰাজকন্যা সোমাইছে, ৰাজকুমাৰ সোমাইছে, উকিল, ডাক্তৰ, বেৰিষ্টাৰ, ছহৰীয়া, গাঁৱলীয়া সোমাইছে; আনকি, লগুৱা, লিগিৰী, ডাইনী বুঢ়ী আৰু কুকুৰ, মেকুৰীও সোমাইছে। তেন্তে মোৰ লগত তিনি বছৰ থাকি হাড়-মূৰ ভাঙি মোৰ ফুলনিবাৰী আৰু ফুলনিবাৰীত কাম কৰোঁতা মোৰ ৰাৰী-চোৰা দুটাই বা নোসোমাবৰ কাৰণ কি? বোলোঁ থাওক সিহঁতো সোমাই। দুখীয়া প্ৰাণী দুটাৰ এটা গতিয়েই হওক। এতেকে পাঠক-পাঠিকাৰ অনুমতি লৈ আজি এই গল্পৰ চুক এটাত সিহঁতক ঠাই একেবা দিয়া গ'ল।

মই যতে থাকো, তাতে ফুল-ফলৰ বাগিচা এডোখৰ আদজোখৰ কৰাটো মোৰ এটা ধাতু। সেই ধাতুটো উনপঞ্চাছটা ধাতুৰ ভিতৰৰ কোনটো, কব

নোৱাৰোঁ। কোনো কোনোৱে কয়, সেইটো হেনো ধনঞ্জয় বায়ু। যদিহে সি ধনঞ্জয়, তেন্তে মই মৰি যোৱাৰ পিছতো সি মোৰ পাছ এৰাৰ আগন্তুক নাই। বাগিচা থাকিলেই মালী লাগে, বাৰী থাকিলেই বাৰী-চোৰা লাগে। সেইদেখি দুখীৰ দুখী অৱস্থাৰে থকা মোৰ বাগিচাৰ লগতে বাৰী-চোৰাও আছে। সিহঁত লেখত দুটা। বাগিচালৈ মোৰ ঘিটোহে হেঁপাহ, তাৰ দীঘল-পুতলৰ জোখাৰে, জোখ মিলাই চলিব লাগিলে অন্ততঃ আৰু দু-এঁৰামান মালী থকা উচিত আছিল। কথাতে কয় বোলে "মনে-মুখে থাকিলেও, ম'হৰ দৈ আৰু হাতীখুজীয়া বাটি নাই।" সেইদেখি যুগল বাৰীচোৰাতে মই সন্তুষ্ট হৈ থকাৰ বাহিৰে আৰু উপায় নাই। মোৰ মালী দুটাৰ এটা বুঢ়া আৰু আনটো ডেকা। বুঢ়াটোৰ নামটো আজিলৈকে কিন্তু মোৰ মুখস্থ নহল। সেইদেখি তাক বুঢ়া মালী বুলিয়েই মাতোঁ; আনেও মাতে। ইয়াৰ উপৰি বুঢ়াৰ নামটো খুচৰি উজাৰি বিচাৰি লৈ তাক আমনি কৰাটোও সদ্বিবেচনাৰ কাৰ্য্য নহয় বুলি ভাবিছোঁ। ডেকা মালীটোৰ নাম সদানন্দ। বুঢ়া ডেকা দুয়ো গণ্ডাজাতৰ মানুহ। গণ্ডা জাতটো সম্বলপুৰৰ ফালে অস্পৃশ্য জাত। একে জাতৰ দুইটা মালী নাৰাখিলে অনেক সময়ত বৰ অসুবিধা হয়। এটা গণ্ডা হৈ, আনটো আন জাতৰ হলে, কামত আউল লাগে,—দুয়ো একেটা বস্তুকে নোছোৱে; ছুলে অগণ্ডাটোৰ জাত যায়। জাতৰ বিষয়ত এই কালৰ মানুহ ইমান পিতৃপিতীয়া যে কৈ ওৰ পেলাব নোৱাৰি। জীৱনৰ আন আন কাৰ্য্যতো সেইদৰেই এই মানুহবোৰ পিতৃপিতীয়া হোৱাহেঁতেন কথাই নাছিল। তেতিয়া কিজানি তেওঁলোকৰ আগত আমি আঁঠুকে লব লাগিলহেঁতেন।

কৈ আহিছোঁ যে বুঢ়া মালীটোক গতানুগতিক ভাবে মতয়া, মোৰ বুদ্ধৰলৈ পাহৰি, বুঢ়া বুলিয়েই মাতোঁ। বুঢ়াই ওৰে দিনটো গৰু আৰু গাধই কাম কৰাদি মোৰ বাগিচাত কাম কৰে। কিন্তু সি উপস্থিতৰ পৰা আজিলৈকে কৰবাত কেনেবাকৈ এখন্তেকলৈকে ইণ্টেলিজেন্স অৰ্থাৎ বুদ্ধিক লগ ধৰিব পাৰিছিল বুলি মোৰ হলে বিশ্বাস নহয়। সঁচাকৈয়ে সেই বিষয়ত তাৰ দুৰৱস্থা দেখি মোৰ একো একোবাৰ বৰ বেয়া লাগে। মানুহটোৰ দুষ্টালি নাই, শঠতা নাই, কপটতা নাই, প্ৰবঞ্চনা নাই; কিন্তু তাৰ মূৰৰ বুদ্ধিৰ গুটি আৰু গছী এই দুইটা উঁৱালতে মূৰ্খালিৰ বৰ বৰ ডাঙৰীহে ঠাহ্ খাই থকা দেখিছোঁ। প্ৰথম ডোখৰত মই তাৰ আচল ৰোগৰ কথাটো বুজিব নোৱাৰি তাৰ ওপৰত খং কৰিছিলোঁ। আৰু কেতিয়াবা কেতিয়াবা থাকিব নোৱাৰি লপাথপাটোও তাক মাৰিছিলোঁ। কিন্তু যেতিয়া তাৰ ৰোগ ধৰা পৰিল, সেইটো দুৰাৰোগ্য জানি, অসীম ধৈৰ্য্য আৰু সংযমৰ আশ্ৰয় লৈ তাৰে সৈতে বাগিচা-বাস কৰি শান্তি স্থাপন কৰিলোঁ। এই দীঘল চৌধ বছৰত পুৰুষানুক্ৰমে অনেক মালীয়ে মোৰ বাগিচাৰ বালিত খোজৰ সাঁচ থৈ গৈছে। এই মালী দুটাও উত্তৰাধিকাৰী সূত্ৰত পূৰ্ব্বগামী মালী-মালাৰ দুটা ফুল। কিন্তু আজি তিনি বছৰেও সিহঁত সেই মালাত মিলি যাব নোৱাৰিলে। এই মনুষ্য দুটিৰ জ্ঞান-বুদ্ধিৰ পথাৰখনৰ সীমা বাঢ়ক ছাবি নিৰ্ব্বুদ্ধিতাই ঠেলি তাক ঠেক কৰিহে আনিছে। আজি তিনি বছৰে সিহঁতে একে বিধৰ কামকে কৰি আহিছে, তথাপি সিহঁতৰ পাছত থিয় দি থকা চকু দুটাই অলপপৰ আন ফালে চালেই দুইৰো কামৰ মাটি দুপাচিত ভুল-ভ্ৰান্তিৰ কাঁকৰ খোলাকাটি ভৰি পৰে। উদাহৰণ স্বৰূপে সিদিনা অলপতে হোৱা কথা এটাকে কওঁ। গোলাপৰ কলম কৰোঁ বুলি মই গোলাপ গছৰ ডাল গোটাচেৰেক বুঢ়াৰ হতুৱাই কটাই ডোখৰ ডোখৰ কৰালোঁ। এনেতে কিবা এটা সকামত তাৰ কাষৰপৰা মই গুচি আহিবলগীয়াত পৰি, সেইবোৰ তাক ৰুই দিবলৈ কৈ আহিলোঁ। আধা-ঘণ্টামানৰ মূৰত উভতি গৈ দেখিলোঁ, সি ডালবোৰ মূৰৰ ফালটো তললৈ কৰি পুতি ৰুই থৈছে। মই কলোঁ, 'বুঢ়া, কৰিলি কি? গোলাপৰ ডালবোৰে দেখোন ওভতগোৰে নাচিব লাগিছে।' সি উত্তৰ দিলে—'এইদৰেইতো ৰোৱে।' মই কলোঁ, 'তোৰ বুপা-ককাৰ দিনত আগয়ে এইদৰে ৰোৱা নিয়ম আছিল যদিও, কিন্তু আজি গান্ধী মহাৰাজৰ দিনত সেই পুৰণি নিয়ম বদ হল। এতেকে ডালবোৰৰ ওভতগোৰ গুচাই, তল-গোৰ ওপৰ-মূৰ কৰি নিদিলে তোৰ ওপৰত ক্ৰোধ কৰি সিহঁতে প্ৰাণত্যাগ কৰিব।' বুঢ়াৰ হতুৱায়ে টেপাৰিৰ গুটি পচাই পুলি কৰাইছিলোঁ। সেই পুলিবোৰ তুলি আনি তাক আন এঠাইত ৰুবলৈ কলত সি টেপাৰিৰ পুলিবোৰ গজা ঠাইতে এৰি, টেপাৰিৰ পুলিৰে সৈতে গজা বনৰ পুলিবোৰ আনি সেই ঠাইত ৰুই থোৱা দেখিলোঁ-গৈ। বুঢ়াক কলোঁ, বুঢ়া কৰিলি কি? টেপাৰিৰ পুলিবোৰ 'নিজবাসভূমে পৰবাসী' হৈ বল, আৰু পৰে সেইবোৰৰ ঠাই জুৰি বহিলহি।' ইয়াকে কৈ তাৰ হতুৱায়ে পৰক খেদাই দি, নিজক স্বস্থানত থপালোঁ। বুঢ়াতে সি নিজৰ বুধিৰে বি কৰে, সি কৰিবলৈ এৰি যোৱাবোৰ কাৰ্য্যহে আৱশ্যকীয় এইটো মই বুজিবলৈ বাকী নাথাকিল।

মোৰ মনত পৰিছে, তাহানি কলিকতাত কলেজত পঢ়োঁতে এজন প্ৰফেছৰলৈ। আমাৰ লগতে এজন ছাত্ৰ সহপাঠী আছিল। প্ৰতি বছৰতে য়ুনিভাৰ্ছিটীৰ পৰীক্ষাত তেওঁ প্ৰথম হৈ আহা ল'বা। আমবোৰ প্ৰফেছৰে আমাক পঢ়াওঁতে কিতাপৰ যি যি ডোখৰ

বৰ important অৰ্থাৎ মন দি পঢ়িব লাগিব বুলি কয়, তাত আমি পেঞ্চিলেৰে দাগ দি থওঁ; কিন্তু সেই ছাত্ৰজনে নিদিয়ে। কিন্তু ওপৰোক্ত প্ৰফেছৰে important বুলি কোনো ডোখৰ কলেই সেইজন ভালকৈ সেই ডোখৰত দাগ দিয়ে। মই এদিন ছাত্ৰজনক ইয়াৰ কাৰণ সুধিলত তেওঁ কলে, 'তাৰ মানে যে তেওঁ important বুলি কোৱাবোৰ বাদ দি পঢ়িবলৈ মোৰ সুবিধা হব দেখি, সেইদৰে দাগ দি থওঁ।' বুঢ়াৰ কামৰ ঠাইত মই থিয় হৈ নাথাকিলে, সেই কাম থিতাতে কামৰ মোমায়েকৰ ঘৰ পায়গৈ। মোৰ তলত তাৰ সুদীৰ্ঘ চাকৰীয়া জীৱনত মাথোন আজি পুৰা স্বাধীনভাৱে সি এটা বুদ্ধিৰ কাম কৰিলে। যথা—বৰ বৰষুণত বাগিচাৰ ভিতৰৰ ঘাট এটাৰ কিছুমান মাটি খহি উটি গৈছিল। সি মোৰ হুকুমলৈ অপেক্ষা নকৰিয়েই, ওচৰৰে মাটিৰ দ'ম এটাৰ পৰা পাচীচেৰেক মাটি আনি তাত দি সেই ভগা ডোখৰ খাতিলে। মই তাৰ অদৃষ্টপূৰ্ব্ব স্বাধীন বুদ্ধিৰ কাৰ্য্যৰ ফল দেখি সন্তোষ পাই, তাৰ পিঠিত চপৰিয়াই তাক কলোঁ, 'বাঃ বুঢ়া বাঃ। তোৰ ওপৰত মই বৰ সন্তুষ্ট হলোঁ। ইমানদিনে তোৰ মেৰতলীত তোৰ বুধিটো লুকাই থৈছিলি। আজি তাৰে এচিকটা উলিয়াই লৈ এই ভাল কাৰ্য্যটো কৰিলি। তোক কি বৰ লাগে ক?' সি তাৰ মানে বুজিব পাৰি নে নোৱাৰি কব নোৱাৰোঁ, মোৰ ফালে তাৰ মুখখন মেলি চাই থকা দেখি, মই কলোঁ, 'তই বৰ নামাগিলেও মই দিম। শুন। মোৰ মূৰৰ চুলিৰ সমান বছৰ তই জীয়াই থাকি, এইদৰে মোৰ বাগিচাত যেন কাম কৰি থাকিব পাৰ, এই বৰ তোক মই দিলোঁ।'

বুঢ়াই সন্তোষৰ মিচিকীয়া হাঁহি মাৰিলে; আশা কৰোঁ। মোৰ বৰ পাই, সি উদ্ধত হৈ সমলপুৰত গৰু, ব্ৰাহ্মণৰ প্ৰলয় নকৰে। মোৰ অনুমান, বুঢ়াই যে মোৰ হুকুমৰ আঁকটোৰ বাহিৰত ভৰি নিদিয়ে এই ভয়ত-বদি তাৰ পদস্খলন হয়। বেচেৰাই মোৰ হুকুম এনেকৈ 'অমিল' কৰে যে তাক যিদিনা যিটো কামত লগাই দিয়া যায়, সেইদিনা সেইটো কাম যদি পুৰা নোহোৱাকৈয়ে গধূলি হয়, আৰু সি ঘৰলৈ যাবলগীয়াত পৰে, তেন্তে পিছদিনা সেই কামৰ বাকী থকা ডোখৰত সি হাত নিদি, সি মোৰ আগত উপস্থিত হৈ, কি কাম কৰিব, নতুনকৈ তাৰ হুকুম প্ৰাৰ্থনা কৰে। একেটা শাৰীতে দুজোপা গছ বতাহ-বৰষুণত কাতি হৈ পৰিছে। মই যদি তাক এজোপাহে পোন কৰিবলৈ আঙুলিয়াই দিওঁ, সি সেই জোপাকেহে পোন কৰি দিয়ে, তাৰ লগৰ সি-জোপা আকৌ মোৰ হুকুম নাপালে নকৰে। সি যে এলাহ বা টেঁটুৱালি কৰি তেনে কৰে এনে নহয়। মই এদিন তাক কলোঁ,—'বুঢ়া, তই কালি তোৰ ঘৰলৈ বৈ ৰাতি নখোৱাকৈ আছিলি নিশ্চয়।' সি সুধিলে 'কিয়?' মই কলোঁ, 'মইতো কালি তোক ভাত খাবলৈ হুকুম দিয়া নাছিলো।' সি মিচিক্‌কৈ হাঁহি আৰু একো নামাতিলে। মোৰ পেংলাইটো সি ভালকৈ বুজিছিল নে নাই, তাত মোৰ আজিও সন্দেহ আছে। বুঢ়াই মাজে মাজে এদিন-দুদিনলৈ ছুটী লয়। এদিন মই আমনি পাই, তাক কলো, যে সি তাৰ বদলি নিদিলে, তাক মই আৰু ছুটী নিদিওঁ। পিছদিনা পুৱা বুঢ়াই সাত-আঠ বছৰীয়া লৰা এটা লগত লৈ মোৰ আগত উপস্থিত। সেইটো কোন বুলি মই বুঢ়াক সুধিলত, বুঢ়াই কলে, সেইটো তাৰ নাতিয়েক। তাক সি তাৰ বদলি দিবলৈ আনিছে। লৰাটোৰ ফালে চাই মোৰ হাঁহি উঠিল। বুঢ়াক কলো,—'এই থিয়দণ্ডা দিয়া লৰা তোৰ বদলি নে?' বুঢ়াই কলে, সি কি কৰিব, বদলি লাগে বোলাত বদলি আনি দিছে। মই মনে মনে থাকি, বুঢ়াৰ বদলি নোলোৱাকৈ বুঢ়াক ছুটী দিলোঁ।

বুঢ়া মোৰ 'হেড্‌ মালী' অৰ্থাৎ বৰমালী। দুই নম্বৰী মালীটো বুঢ়াৰ 'এছিষ্টেণ্ট' অৰ্থাৎ সহায়ক মালী। তাৰ নাম সদানন্দ বুলি আগেয়ে কৈ আহিছোঁ। বয়সত যদিও সি কম নহয়, কিন্তু সি দেখিবলৈ লৰামতীয়া। তাক গাইমুৰা বুলিলেই হয়। মোৰ লগুৱা মহলত কোনোবাই উলিয়াই দিলে যে সদানন্দ গাইমুৰা দেখি তাৰ ঘৈণীয়েকে তাক দেখিব নোৱাৰে। মতাৰ সম্পৰ্কে সদানন্দ ঘৈণীয়েকৰ জ্ঞানটো হেনো বৰ টনটনীয়া। তাই কয়, যি মতাৰ মুখত ডাঢ়ি নাই, সেই মতা মতাই নহয়। এনে গাইমুৰা মতাৰে সৈতে গৃহবাস কৰাতকৈ তাই পানীত পৰি মৰাই ভাল। এই বৌচিটো ৰবকৈ কুটি ওলালত, মই এদিন বিশ্বাসতে সদানন্দক সুধিলো, কথাটো হয় নে? সি ভূমি ছুই কৰ্ণত হাত দি কলে, "হজুৰ। একেবাৰেই মিছা কথা। তাই দুজনী ছোৱালীৰ মাক হল; এনে কথানো হব পাৰেনে?" মই আৰু একো নকৈ মনে মনে থাকিলোঁ। সদানন্দই কাম কৰে বেয়া নহয়; যদিও তাৰ বুধিটো বুঢ়াৰ বুধিটোতকৈ এচুলিমানৰ ওপৰতহে। সদানন্দৰ বুধিটো থিৰ হলেও, হাতটো লৰ। মোৰ বাগিচাৰ লাওটো, কচুটো, বেঙেনাটো, সি ইফালে-সিফালে চাই হাত দি তাক তুলি তাৰ চুৰিয়াৰ কোঁচত সুমাই লৈ যাবলৈ সি বেয়া নেপায়। কত দিন সি সেই কাৰ্য্যত ধৰা পৰিছে। ধৰা পৰিলে, সদানন্দই লাজৰ ধূলি-মাকতি লোপা মহানদীৰ পানীত ধুই পৰিষ্কাৰ কৰি পেলায়। এদিন সি একোঁচকৈ মোৰ বাগিচাৰ কৰ্দ্দাটেঙা চুৰ কৰি লৈ গধূলি ঘৰলৈ যাবলৈ ওলাইছিল। বুঢ়া আগে আগে, সি পাছে পাছে যাব লাগিছে। মোৰ চৌতালৰ দুৱাৰখন পাৰ হবলৈ অলপ আছে, এনেতে

তাৰ কোঁচৰপৰা টলব্ টলব্‌কৈ ৫টা এটাকৈ কৰ্দ্দা-টেঙা পৰিবলৈ ধৰিলে। তাৰ চুৰিয়াৰ কোঁচ নিশ্চয় ফটা আছিল। তাৰ নিজৰ কিন্তু এই বিপৰ্য্যয়ৰ ভুৰেই নাছিল। সেই কাণ্ডটোলৈ চকু পৰা মোৰ আনবোৰ লগুৱাই যেতিয়া বৰকৈ হাঁহিবলৈ ধৰিলে, তেতিয়াহে সদানন্দই তলমন কৰি থনকি বল। লগুৱাইঁতৰ কিৰীলি শুনি ময়ো ওলাই গৈ দেখিলো, যে বেচেৰা সদানন্দৰ পক্ষে ব্যাপাৰটো সাংঘাটিক হৈ পৰিছে। তাক মই নিৰ্ভয় দি টেঙাবোৰ বুটলি লৈ তাৰ ঘৰলৈ যাবলৈ কলোঁ। আৰু কলোঁ, যে তই আগলৈ এনে নকৰিবি। সদানন্দই যদি মোৰ কথাৰ মানেটো এনেদৰে বুজিলে, যে আগলৈ সি চুৰ কৰা বস্তু ভৰোৱাৰ আগতে তাৰ কোঁচটো ফটা নে নফটা সেইটো চাই লব, তেন্তে সি ভুল বুজিলে।

সদানন্দয়ো দুমাহে এমাহে মোৰপৰা দুদিন চাই-দিনকৈ ছুটী লৈ কাম কৰিবলৈ নাহে। প্ৰত্যেক-বাৰতে সি ছুটী লবৰ কাৰণটো চকুৰ পাণীৰে তিয়াই লৈ মোৰ আগত উপস্থিত কৰে। সেইটো তাৰ জীয়েকৰ মৃত্যু। তাৰ এনে ভযানক বিপদৰ কথা শুনি মই ছুটীকে বা নিদি থাকো কোনটো সতেৰে? দিওঁ ছুটী। কিন্তু ছুটীৰ ব্যাবহৃি হলত মোৰ মনত সন্দেহ উপস্থিত হল। মই "এক্কুৱাৰী" অৰ্থাৎ লোকৰপৰা ভালকৈ ভু লৈ জানিব পাৰিলোঁ, যে দুবছৰৰ আগতে তাৰ দুবছৰীয়া জীয়েক এজনী, আৰু দুমহীয়া কেচুৱা ছোৱালী এজনী মাউৰত মৰিছিল, সঁচা। কিন্তু এই দুবছৰৰ পৰা প্ৰতি দুই মাহৰ ভিতৰত সেই ছোৱালী দুজনীয়ে পাল পাতি উটাপুটাকৈ ন-নকৈ মৰি, বাপেকক মোৰ হতুৱাই ছুটী দিয়াই সিহঁতৰ জন্মদাতা পিতৃঋণ শুজিবই লাগিছে। ঋণৰ ওৰ কেতিয়া পৰিব কোনেও কব নোৱাৰে। কথাটোৰ উৰাদিহ উলিয়াই মই সদানন্দৰ ছুটী বন্ধ কৰি দি তাৰ মুদাটো একেবাৰেই মাৰি দিলোঁ। ঠিক যেন পিণ্ডটো গয়াত হে পৰিল। ফলত অশান্তিত থকা তাৰ জীয়েক দুজনীয়ে শান্তি পালে, সদানন্দই লাজ পালে, আৰু তাৰ গৰহাজিৰৰ নিমিত্তে পানীৰ অভাৱত বদত লেবেলি থকা মোৰ বাগিচাৰ ফুলগছবোৰে পানী পালে। গোলমালটো এইদৰে মিটিল।

এবাৰ মোৰ গুৱালটোৰ জৰ হোৱাত, সদানন্দক গোহালিৰ গোবৰ পেলাই গোহালিটো ছাফ কৰিবলৈ কলোঁ। যিমানখিনি সময় সেই কাৰ্য্যত ব্যয়িত হোৱা আৱশ্যক, তাতকৈও অনেক সময় সদানন্দৰ বাবাই গোহালিঘৰত ব্যয় হোৱা দেখি, সি তাত কি কৰিছে চাবলৈ মই হাতত-সাবে ভৰিত-সাবে গৈ ওলালো। দেখিলো—অ' হৰি। সদানন্দৰ কি আনন্দ লীলা। সদানন্দই বৎসৰূপ ধৰি আঠুকাঢ়ি খীৰতী গাইজনীৰ ওহাৰৰ বাটত মুখ দি হুপি দুগ্ধ-পান কৰিব লাগিছে। মোক দেখি ততালিকে সি বৎসৰূপ এৰি পূৰ্ব্বৰূপ ধৰি উঠিল। কিন্তু বাৰিষা নৈৰ কানৰ খাগবিডাল পানীৰ সোঁতত কঁপাদি সি কঁপিবলৈ ধৰিলে। তাৰ দুৰ্ব্বলতাটো মই হৃদয়ঙ্গম কৰি তাক কলোঁ—'যা ভয় নকৰিবি। মই তোক একো নকৰো। কিন্তু আগলৈ এনে নকৰিবি। আজি তই ঘৰলৈ যাবৰ সময়ত তোক এবাটি গাখীৰ দিম লৈ যাবি।' দেখিলোঁ, তেতিয়াও সদানন্দৰ কোৱাৰিযেদি গাখীৰ বৈ টোপাটোপে মাটিত পৰিছে। তাক তাৰ মুখখন মচি ওলাই যাবলৈ কৈ গুচি আহিলোঁ। তাৰ সেই দুৰ্ব্বলতাৰ কথা আজিলৈকে মই কাকো কোৱা নাছিলোঁ।

সদানন্দৰ এটা সুগুণ আছে। সি বৰ গছুৱৈ। বান্দৰ উঠা দি সি গছত উঠিব পাৰে। আমগছত উঠি তাক আম পাৰিবলৈ কলে, খপ্‌খপ্‌কৰে উঠি সি পাৰি দিনে। সেইদৰে জামু গছতো উঠি জামু পাৰে। মোৰ বাগিচাত যদি পনীয়ল গছ থাকিল-হেঁতেন, তেন্তে তাতো সি উঠি পনীয়ল পাৰি পিটিকি দি মোক খুৱালেহেঁতেন। যি হওক, নথকা বস্তুটোৰ নিমিত্তে হাম্‌ৰাও কৰা অনুচিত।

মোৰ এই অমূল্য মালী দুটাৰ নিমিত্তেই হওক, বা আন কোনো কাৰণতে হওক, মোৰ বাগিচাখন সম্বলপুৰত সকলোৰে চকুত-লগা। দেশী মানুহৰ বাগিচাৰ কথাকে নকওঁ, য়ুৰোপীয় মানুহৰ বাগিচাবো পাছৰ শাৰীত তাক কোনেও ঠাই দিব নোৱাৰে। সিদিনা মই মালী দুটাৰ কাষত থিয় দি বাগিচাত সিহঁতৰ কাম চাই আছোঁ; এনেতে গৱৰ্ণমেণ্টখ ঘৰৰ ওখ খাপৰ বিষয়া বন্ধু এজন মোৰ ওচৰ পালেহি। তেওঁ মোক কলে,—'আপোনাৰ মালী দুটা বৰ কাৰ্য্য-দক্ষ। আপোনাৰ বাগিচাখনে সদায় হাঁহি থাকে। এনেকুৱা মালী এটা মোক আপুনি দিব পাৰিবনে?' মই কলোঁ, 'ইহঁতৰ এটাক লৈ যাওক।' তেওঁ কলে, 'সেইটো হব পাৰেনে? মই আপোনাক বঞ্চিত কৰিবলৈ নাযাওঁ।' মই তেওঁক কলোঁ, 'সম্বল-পুৰত এনেকুৱা কাৰ্য্যদক্ষ মালী পোৱা নাযায়। কিন্তু মই জনাত, আৰু দুটি এঠাইত আছে। দুয়ো গিৰিয়েক ঘৈণীয়েক। দুয়ো একেলগে কাম নাপালে নকৰে। অৱশ্যে সিহঁতৰ দৰমহা অলপ সৰহ।' তেওঁ কলে, 'একো হানি নাই; দিম সৰহ দৰমহা। আপোনাৰ মালীয়ে কিমানকৈ পায়?' মই কলোঁ, 'দহ টকাকৈ"। তেওঁ কলে, 'মই এবাৰ টকা বাৰ টকালৈকে দিবলৈ সাজু আছোঁ। সিহঁত ক'ত থাকে?' মই মোৰ মবলৈ আঙুলিয়াই দিলোঁ। তেওঁ কলে, 'সিহঁতক মাতকচোন?' মই কলো, 'মাতিব নালাগে; এটা আপোনাৰ আগতে 'থিয় হৈ আছে। আনটোৰে

ঘৰৰ ভিতৰত শাক-পাচলি কুটিছে হবলা।' তেওঁ মোৰ খেয়ালিটোৰ মৰ্ম্মত তেতিয়া অৱগাহন কৰি, হাঁহি, মোৰ গাত থোকোটা এটা মাৰি দি কলে, 'you are always naughty'

(বাঁহী—২১শ বছৰ, ৪ৰ্থ সংখ্যা, শাওণ ১৮৫৪ শক)

ভৈৰা

কেনেকৈ কব নোৱাৰোঁ, মোৰ ঝাৰসোগোড়া বঙলাৰ মালীটোৱে জানিবলৈ পালে যে, মোৰ সম্বলপুৰীয়া মালী দুটাৰ অনুপম চৰিত্ৰ মোৰ দ্বাৰাই বিৰচিত অভিনৱ চৰিত্ৰ-পুথিখনত উঠিছে। এইবাৰ মই ঝাৰসোগোড়ালৈ যাওঁতে সি মোৰ আগত আঁঠু লৈ জনালে—"হজুৰ চাহাব। মই হজুৰৰ ঝাৰসোগোড়াৰ বঙলাত আজি পাঁচ বছৰৰ ওপৰ হল, মৰিমৃজি কাম কৰি আছোঁ; তথাপি হজুৰে কৰা পুৰাণ শাস্ত্ৰত সম্বলপুৰীয়া মালী দুটা উঠিল। এই দুৰ্ভগীয়া ইয়াতে পৰি ৰ'ল। হজুৰৰ চৰণত মই কি অপৰাধ কৰিলো বুজিব নোৱাৰিলো।"

মই ঈষৎ হাস্য কৰি তাক কলো, "মোৰ ভুলতহে তই মোৰ পুৰাণৰ বাহিৰত থাকি গলি। বাৰু খেজাৰ নকৰিবি, এতিয়াও সময় আছে; তোকো তাতে এচিকটা ঠাই দিয়া যাব।"

সি মোৰ কথাত সন্তুষ্ট হৈ তাৰ কৃতজ্ঞতা প্ৰকাশ কৰিবৰ অভিপ্ৰায়েৰে, খলেৰে মোৰ ভৰি দুটা টানি নি পিটিকিবলৈ ধৰিলে। তাৰ কৃতজ্ঞতাৰ গুৰুত্বৰ হেঁচাত যেতিয়া মোৰ ভৰি ভাগিব লগা হল, তেতিয়া মই মোৰ পাদ-পদ্ম দুটি সঙ্কুচিত কৰি লৈ তাক আন এটা কাম কৰিবলৈ পঠিয়াই দিলোঁ।

মালীটোৰ আচল নাম ভৈৰা নহয়; আন কিবা এটাহে আছিল। সি ঝাৰসোগোড়া চহৰত নামজ্বলা কলা দেখি, গোটেইখন চহৰৰ মানুহে তাক ভৈৰা বুলি মতাত, তাৰ আচল নামটোত বালি পৰি ঢাক খালে। বালিৰ দৰে তলত পোত গৈ থকা গুপ্ত নামটো এতিয়া মই নালাগে, কোনোবা ইন্দ্ৰদ্যুম্ন হৈ ওলাই হাতত কোৰ লৈ খানিবলৈ গলেও তাক উলিয়াব পৰাটো উজু নহয়। ভৈৰা 'বধিৰা' শব্দৰ অপভ্ৰংশ। শৌৰসেনী নহয়, মাগধী প্ৰাকৃত কিজানি। বধিৰা মানে আমাৰ অসমীয়াত কলা। কলা মানে কদলী নহয়, কাণেৰে শুনানাহে। ভৈৰা পৰি-ৰবা বিধৰ কলা নহয়; ধুমকলা। দুটা অস্ত্ৰচোল একেলগে কোবালেও তাৰ সম্মিলিত শব্দ-শক্তিয়ে ভৈৰাৰ কৰ্ণযুগলৰ দুৰ্জ্জয় দুৰ্গ সতকাই ভেদ কৰিব নোৱাৰে। মই আকাৰে-ইঙ্গিতে ঠাৰী-চিয়াঁৰী ভাষাৰ সহায় লৈ আজিলৈকে এই দুৰ্য্যোধন কলাটোৰ উৰুভঙ্গ কৰি কোনোমতে ঝাৰসোগোড়া হস্তিনাপুৰৰ কাম চলাই আছোঁ। কিন্তু একো একো দিনা মোৰ ধৈৰ্য্য, চাপৰ বাহিৰত যেতিয়া পৰেগৈ, তেতিয়াই প্ৰচণ্ড আদেশ প্ৰদান কৰি তাক বৰ্খাস্ত কৰি থওঁ। সি মোৰ হুকুমৰ ধন্বধমনিত এবেঙুমান আঁতৰি যায় আৰু অলপপৰৰ পিছতে বাগিচাত ধুমাধুমিকৈ মাটি কুৰিবলৈ লাগি যায়। তেতিয়া তাৰ কাৰ্য্যাৱলী লক্ষ্য কৰি মযো চেঁচা পৰি যাওঁ, আৰু মোৰ পূৰ্ব্ব হুকুম মনতে 'ৰদ' কৰি যথাপূৰ্ব্বং তথাপৰংভাৱে চলিবলৈ ধৰোঁ।

ভৈৰা মানুহটো জুৰ, বিশ্বাসী আৰু পৰিশ্ৰমী। কামত জানিবা সি অঁকৰা-মৈত উঠা। এবাৰ কামত লাগি গলে, সি ভাত-পানী খাবলৈকে পাহৰে। বেলি ভাটি দিয়ে, তথাপি তাক কোনোবাই খাবলৈ নেমাতিলে নাহে। সি কাম কৰি থাকোঁতে তাৰ ওচৰতে যদি কোনোবাই থিয় দি তাক কুকুৰে-কাঁইট নোখোৱাকৈ গালি-পাৰি, হাত জোকাৰি কিল-কীৰ্ত্তনৰ ভাও দেখুৱাই থাকে, তাৰ সেইফালে চকু নাযায়,—কাণতো যাবই নোৱাৰে। তাৰ অন্তেষ-পুৰত তেনেখোৰ খবৰৰ প্ৰবেশ নিষেধ। চোৰ গৰুৱে বাগিচাৰ দুৱাৰ, মুখেৰে হেঁচুকি মেলি তাৰ ওচৰতে মছৰ মছৰকৰে ঘাঁহ খাই আছে, কিন্তু ভৈৰাৰ চকু আৰু কাণে তাৰ ভু লোৱাটো আত্ম-সম্মানৰ হানিকাৰক বিবেচনা কৰে। ছাগলীয়ে বাগিচাৰ জেওৰা ডেই বাগিচাৰ ভিতৰত সোমাই এমূৰে ফুলগছৰ আগ কচ্ কচ্কৰে খাব লাগিছে, ভৈৰাই ওচৰতে ফুলগছৰ গুৰি খুচৰি আছে, কিন্তু তাৰ খবৰ লবৰ আহৰি নাই। কৰ্ম্মযোগী সি কামৰ ধ্যানতে নিমগ্ন। তাৰ চুৰিয়াৰ পোজটো গুলাকি মাটিত পৰি ধূলি বা বোকাত চুঁচৰি যাব লাগিছে, ৰেলৰ ইঞ্জিনে তাৰ পিচত লানি-লাগি থোৱা গাড়ীবোৰলৈ মন নিদি নিশ্চিন্তমনে সেইবোৰ টানি লৈ গৈ আছে, তাৰ সেইফালে ভ্ৰূক্ষেপ নাই।

আজি পাঁচ বছৰৰ ওপৰ হল, ভৈৰাই মোৰ ঝাৰসোগোড়াৰ বঙলাত কাম কৰিছে। মই সম্বল-পুৰৰ পৰা যোৱা-অহা কৰোঁতে সদায় সি ৰেলগাড়ীৰ দ্বিতীয় শ্ৰেণীৰ খোঁটালীৰ পৰা মোক নমায় আৰু তাত তুলি মোৰ বস্তু অনা-নিয়া কৰি আছে; কিন্তু যিদিনা মই তাৰ লগে লগে গাড়ীত উঠিবলৈ নাহি অলপ আগেয়েই তাৰ হাতত মোৰ বস্তুবোৰ পঠিয়াই দি গাড়ীত তুলি থবলৈ কৈ পাচ পৰোঁ, সেই দিনাই সি বিষম সমস্যাত পৰে। সেইদিনা নিশ্চয় সি বস্তুবোৰ তৃতীয় শ্ৰেণীৰ গাড়ী এখনত তুলোৱাই

সুবাৰ। এদিন সি, যোধকৰোঁ অনেক চিন্তা কৰি মোৰ বিষয়ে কি সিদ্ধান্ত কৰি কব নোৱাৰোঁ, তৃতীয় শ্ৰেণীৰ তিৰোতা মানুহৰ গাড়ীত মোৰ বস্তুবোৰ তুলি থৈছিল গৈ। ইমান দিন ইমান বাৰ সি ৰেলৰ গাড়ীৰ পৰা মোক নমাইছে, তুলিছে, কিন্তু আজিলৈকে সি প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ পাৰ্থক্য বুজিব নোৱাৰিলে। এদিন মই তাক গাড়ীৰ ওচৰলৈ মাতি নি দ্বিতীয় শ্ৰেণীত II এই দুটা আঁক থকা গাড়ীখন দেখুৱাই দি ভালকৈ বুজাই দিলোঁ। কিন্তু তাৰ পিছ দিনাই বেতিয়া তাৰ মহলা ললোঁ, সি 'মাৰ্ক' অৰ্থাৎ নম্বৰ পালে শূন্য। কাৰণ মই অলপ পিছতে ষ্টেচনলৈ আহি গাড়ীৰ কাষ পাই দেখিলোঁ যে সি তৃতীয় শ্ৰেণীৰ "ফিমেল-কম্পাৰ্টমেণ্টত' অৰ্থাৎ তিৰোতা যাত্ৰীৰ গাড়ীত মোৰ বস্তুবোৰ সুমাই থৈ গাড়ীখনৰ দুৱাৰৰ হাতোৰা-ডালত ধৰি, বুকু ফিন্দাই মোৰ ফালে এনেভাৱে চাই আছে, যে "চোৱাঁ মই আৰু আগৰ দৰে ভুল কৰা নাই!" খোঁটালীটোৰ ভিতৰলৈ মোৰ চকু পৰিলত দেখিলোঁ, সাধাৰণ শাৰীৰ তিৰোতাবোৰে লৰা-ছোৱালীৰে সৈতে তাত কোঢ়াল কৰিব লাগিছে। মই ভৈৰাক "(Thank you ! You have passed with distinction)" অৰ্থাৎ তই মহলাত সন্মানেৰে সৈতে উঠিলি বুলি ধন্যবাদ দি তাৰ হতুৱাই বস্তুবোৰ দ্বিতীয় শ্ৰেণীৰ গাড়ীলৈ অনাই গাড়ীত উঠি ৰহি বাতৰি কাকত পঢ়িবলৈ ধৰিলোঁ।

ভৈৰাই হাঁহৰ মতা-মাইকী চিনিব নোৱাৰে, ছাগলীৰ পাঠা-পাঠী চিনিব নোৱাৰে। এদিন এযোৰ পাতিহাঁহ কিনিবলৈ তাক ধন দি আহিছিলো। উভতি গৈ দেখো—সি দুটা মতা হাঁহ কিনি থৈছে। আৰু এদিন পাঠা এটা কিনিবলৈ কৈ আহিছিলো, ঘৰলৈ গৈ দেখোঁ, সি মাইকী বুঢ়ী ছাগলী এজনী খুটা এটাত বান্ধি থৈ দিছে। মই তাক খং কৰি পাঠা কত বুলি সুধিলত সি মোক সেই ছাগলীজনী দেখুৱাই দিলে। মোৰ খং আৰু সৰহকৈ উঠাত সি কলে, "হজুৰ। জন্তুটো মতা নহলে তাৰ ডাঢ়ি গজিব কিয়?" এতেকে সি ঠিক কামকে কৰিছে। মোৰ খং হাঁহিত পৰিলগৈ। ভৈৰাৰ গঢ়গতি দেখি মুঠতে মোৰ ধাৰণা হৈছে যে সি দাৰ্শনিক আৰু সম্ভৱতঃ যিখন দৰ্শনৰ পৰা সি জ্ঞান আহৰণ কৰিলে, সেইখন সাংখ্য। ভৈৰাই জগতত মাথোন এজন পুৰুষৰ অস্তিত্বহে স্বীকাৰ কৰে। বাকীবোৰ তাৰ মানত প্ৰকৃতি। বৃন্দাবনত সনাতন গোস্বামীয়ে মীৰাবাইক তিৰোতা বুলি দেখা নকৰোঁ বোলাত মীৰাই তেওঁলৈ কৈ পঠিয়াইছিল যে, সনাতন গোস্বামী কেতিয়াৰ পৰা পুৰুষ হল? জগতত মাথোন পুৰুষ এজন বুলিহে মীৰাই জানে। আমাৰ ভৈৰাও কিজানি সাধনাৰ পথত এনেভাৱেই অগ্ৰসৰ হৈছে? কোনে জানে?

ভৈৰাৰ চকুত য়ুৰোপীয় মতা তিৰোতাও সমান। দুইৰো পাৰ্থক্য এতিয়ালৈকে সি বুজিব পৰা নাই। মোৰ ঘৰলৈ অহা য়ুৰোপীয় ছাহাবক সি মেম বোলে, আৰু মেমক ছাহাব বোলে। সি ঝাৰসোগোড়াত সৰ্ব্বজনবিদিত আৰু সৰ্ব্বজনপৰিচিত। সি বজাৰলৈ যাওঁতে বাটত যদি কোনোবাই তাক সেইজনৰ বই-বস্তুবোৰ কঢ়িয়াই নি ৰেলত তুলি দিবলৈ কয়, তেন্তে তাৰ বজাৰলৈ যোৱাটো কিছুকালৰ নিমিত্তে স্থগিত ৰাখি সি সেই অনুৰোধ ৰক্ষা কৰে। তাৰ পৰিশ্ৰমৰ বঁটা স্বৰূপে কোনোবাই তাক পইচা এটা দিলে যদি দিলে, নিদিলে যদি নিদিলে, তাত তাৰ কোনো দুখ নাই। তাৰ খৰচৰ হিচাপ-কিতাপৰ বাজে খৰচলৈ দিনৌ তিনি পইচা থাকিলেই হল। দুপইচাৰ 'কুহুনা' অৰ্থাৎ ভাতৰ মদ আৰু এপইচাৰ "বিৰি" অৰ্থাৎ কেন্দুপাতৰে মেৰোৱা চেলেউ। সি মোৰ পৰা মাহে বাৰটকাকৈ দৰ্ম্মহা পায়। দৰ্ম্মহাৰ টকাটো সি "ট্ৰেজেৰিত" জমা দিয়ে। তাৰ ঘৈণীয়েকেই তাৰ "ট্ৰেজেৰি"। সেই টকাৰে তাৰ, তাৰ ঘৈণীয়েকৰ আৰু তিনিজনী ছোৱালী আৰু এটা লৰাৰে সংগঠিত পৰিয়ালৰ ভৰণ-পোষণ চলে। সম্প্ৰতি সি তাৰ দুজনী জীয়েকক বিয়া দি উলিয়াই দিলে আৰু লৰাটোৱে পাঠশালাৰ পঢ়া সাঙ্গ কৰি টোটোৰাম কোম্পানী গঠন কৰি স্বাধীনতা অৱলম্বন কৰিলে; আৰু ঘৈণীয়েকে ওচৰৰে এঘৰত পানী কঢ়িয়াই দি মাহেকত এটকাকৈ দৰ্ম্মহা আৰ্জ্জিলে। গতিকে ভৈৰাৰ এতিয়া ঘৰ-সংসাৰৰ অৱস্থা স্বচ্ছল। মই শুনিছো, এই নিমিত্তেই অধুনা সি তাৰ বাজে খৰচৰ "বাজেট"ত "কুহুনা"ৰ ব্যয় দুইপইচাৰ পৰা চাৰি পইচালৈকে তুলি ঘৈণীয়েকৰ দ্বাৰাই "মঞ্জুৰ" কৰাই লৈছে।

মই ঝাৰসোগোড়ালৈ বাৰ দিন কি চৌধ দিনৰ অন্তৰে এদিন বা দুদিনলৈ যাওঁ। সেইদেখি মোৰ বঙলাটো সদায় ধৰহীন বিধৱা হৈয়ে পৰি থাকে। গৱকাপ্তানী ডাকবঙলাৰ কাষতে মোৰ বঙলাটো। ডাকবঙলাত থাকিবলৈ যোৱা মানুহে এই সুবিধাৰ নিমিত্তে মাজে-সময়ে মোৰ বঙলাৰ ওপৰতো অনুগ্ৰহ প্ৰকাশ কৰে। অৱশ্যে অনুগ্ৰহ বিতৰণ কৰোঁতাৰ সৰহ ভাগ মোৰ চিনাকি মানুহ। কিন্তু অনুগ্ৰহৰ জোখ বাঢ়ি অহা দেখি মই ভৈৰাক টানকৈ হুকুম দি আহিছোঁ যে মোৰ অনুমতি-পত্ৰ নেদেখুৱালে সি যেন কাকো মোৰ বঙলাত থাকিবলৈ নিদিয়ে। সকলোৱে ভৈৰাৰ বুদ্ধিৰ দীঘল-পুতল ভালকৈ জানে। সেইদেখি আলহী হৈ থাকিব খোজাবোৰে তাক কয়, "বঙলাৰ গৰাকীৰ আমি অনুমতি লৈ আহিছোঁ।

চিঠিখন আমাৰ পেৰাৰ ভিতৰত আছে, পিছত তোক দেখুৱাম।" "বহু"। ভৈৰা "ঠাণ্ডা"। আৰু আগন্তুকৰ মোৰ বঙলাত বাস নিষ্কণ্টক। আনৰ কথাকে নালাগে, তাৰ লৰা-ছোৱালীয়েও তাৰ চকুৰ আগতে তাক দগধা ফাকি দি চলি থাকে। সিহঁতৰ ফাকিৰ ভিতৰলৈ তাৰ দাঁত কেতিয়াও নোসোমায়। বাহিৰৰ মানুহে যেতিয়াই মন যায় আহি মোৰ বাগিচাৰ ফল-ফুল লৈ গুচি যায় ; মাথোন ভৈৰাক কলেই হল যে সিহঁতে গৰাকীৰ হুকুম লৈ আহিছে। অথচ বেচেৰা গৰাকীজন ৩২ মাইল দূৰ সম্বলপুৰত।

খাৰসোগোড়াৰ পৰা সম্বলপুৰলৈ অহা ৰেল-গাড়ীখন পুৱা ৬ বজাত এৰে। মই এদিন ৰাতি ভৈৰাক কলোঁ, সি কাইলৈ যেন পুৱা ৫ বজাতে মোক জগাই দি চাহপানী তপতায়, যাতে চাহ খাই মই গাড়ীখন ধৰিবগৈ পাৰোঁ। পিছদিনা পুৱা ৬ বাজিবলৈ দহ মিনিটমান আছে, এনেতে মোৰ চাঁতকৰে টোপনি ভাগিল। উঠি গৈ দেখোঁ, ভৈৰাই তেতিয়াও নাক ঘোৰ্ঘোৰাই শুই আছে। মই তাৰ পিঠিত ভুকু এটা মাৰি তাক তুলি দি কলোঁ, সি মোক ভাল জগালে। এইবুলি চাহ নোখোৱাকৈয়ে লৰালৰিকৈ আহি মই গাড়ীত উঠিলোঁহি। ইয়াৰ পিছৰবাৰত, ৰাতি দুই বজাতে চাহপানী তপতাই ভৈৰাই মোক জগাই কলে, "হুজুৰ, উঠক। যাবৰ হল। চাহপানী তপতাই থৈছোঁ।" মই জেপঘড়ীটো উলিয়াই চাই দেখিলোঁ, তেতিয়া ৰাতি দুই বাজিছে। তাক গালি পাৰি দিলত, সি লৰালৰিকৈ মোৰ ভৰি দুটাত ধৰি পিটিকিবলৈ লাগিল, আৰু কলে,— "হুজুৰ। আৰু অলপ শোৱক, মই ভৰি পিটিকোঁ, ৰাতি পুৱাবৰ সময়ত মই জগাই দিম ; তেতিয়ালৈকে মই হুজুৰৰ ভৰি পিটিকি থাকিম।"

সি মোৰ বিছনা পাতোঁতে সদায় পশ্চিমৰ ফালে মুৰশিতান পাতি গাৰুটো দিয়ে। মই তাক কলোঁ, পশ্চিমৰ ফালে মূৰ কৰি শুব নাপায়। সি মোক কলে, "সিদিনা যে আবকাৰী চাহাব আমাৰ বঙলাত আছিল, তেওঁ পশ্চিমৰ ফালে মূৰ কৰি শুইছিল।"

মই তাক সুধিলোঁ, আবকাৰী চাহাব হিন্দু নে মুছলমান ? সি কলে, পাঠান।

মই কলোঁ, মইতো পাঠান নহওঁ, মই হিন্দু। হিন্দুৱে পশ্চিমৰ ফালে মূৰ কৰি নোশোৱে।

সি কলে—"সেইটো হয়, কিন্তু মই ভাবিছিলোঁ, বৰলোক পশ্চিমৰ ফালে মূৰ কৰি শোৱে, আমাৰ নিচিনা দুখীয়া সৰু মানুহে পূৱফালে মূৰ কৰি শোৱে। এতিয়াহে মই বুজিলোঁ। হুজুৰে আজি মোক বৰ জ্ঞান দিলে। আজিৰ পৰা মই এই কথাটো জানি ললোঁ ; আৰু কেতিয়াও সেইফালৰ মুৰশিতান পশ্চিমৰ ফালে নকৰোঁ।" এইবুলি সি বিড়িয়াই তাৰ দহ-বাৰ বছৰীয়া পুতেকটোক মাতিলে। পুতেকক কলে—"মনবোধ ; আজি এটা বৰ জ্ঞানৰ কথা হজুৰে মোক শিকালে। হিন্দু মানুহে পশ্চিমৰ ফালে কেতিয়াও মূৰ কৰি শুব নাপায়। পাঠান মানুহে যি কৰে কৰক, আমাক কেলৈ লাগিছে ? পাঠান আমাৰ জাতৰ নহয়, কুলৰ নহয়। তই শিক। এইটো কথা শিকি ল।"

তাৰ পুতেকক সি এইদৰে দঢ়াই দঢ়াই এই অভিনৱ জ্ঞানটো প্ৰদান কৰা দেখি মোৰ হাঁহি উঠিল। কি কৰিম, মই মনে মনে থাকিলোঁ।

ভৈৰা বৰ ভোজপ্ৰিয়। তাৰ জাতৰ মানুহৰ ঘৰত বিয়া-সবাহ বা শৰাধ হলেও তাৰ মহা আনন্দ মিলে। মানুহ মৰিলে সিহঁতৰ ভিতৰত প্ৰধান কাৰ্য্য ভোজ খোৱা আৰু ভোজ দিয়া। সেইদেখি তাৰ জাতৰ কোনোবা মৰিলে ভৈৰাৰ বেজাৰতকৈ আনন্দহে সৰহ হৈছে। সিহঁতৰ ভোজৰ "মেনু" অৰ্থাৎ আহাৰৰ তালিকা :—ভাত, মাছৰ আঞ্জা আৰু শাক ভজা। খাহী মৰা ভোজ বৰভোজ। যদিও সি দুষ্প্ৰাপ্য, তথাপি তেনে ভোজো যে মাজে-সময়ে ভৈৰাৰ কপালত নিমিলে এনে নহয়। তেনে ভোজৰ খবৰ ওলালে, তাৰ আগনিশাৰে পৰা সি উজাগৰে থাকি তাৰ মনতে ঘূৰাই-পকাই সেই ভোজৰ ভুৰিভোজন সি কৰি থাকে।

মাজে মাজে ভৈৰাই কাবুলীৰ পৰা মাহে টকাত দুঅনাকৈ সুত দিবলৈ বন্দবস্ত কৰি টকা ধাৰ কৰি আনি, জীয়েকহঁতৰ হাতে-কাণে অলঙ্কাৰ পিন্ধাই দিয়ে। কিন্তু 'মোমায়ে কাঠ কাটে ; মায়ে পানী যেন দেখে।' জীয়েকহঁতৰ গা হৈছে এনেটো। দুই-চাৰি দিন সিহঁতে সেই অলঙ্কাৰ পিন্ধি তাৰ সৌন্দৰ্য্য চাৰিউফালে ছটিয়াই দি, সিহঁতে সেই গহনা মনে মনে মিঠাইৱালাৰ দোকানত বন্ধক দি মিঠাই খাই তাৰ সদ্ব্যৱহাৰ কৰি থয়। ভৈৰাই আকৌ কাবুলীৰ পৰা টকা ধাৰ কৰি সেই গহনা বন্ধকৰ পৰা মোকো-লাই আনিব লগীয়াত পৰে।

ভূতত ভৈৰাৰ ভৰপূৰ নিৰ্ভৰ। তাৰ ঘৰজীয়েক-জনীয়ে সেইটো ভালকৈ জানি লৈ, তাৰ সদ্ব্যৱহাৰ কৰাত ক্ৰটী নকৰে। তাই শহুৰেকৰ ঘৰত সৰহ দিন থাকিবলৈ ভাল নাপায়। সেইদেখি তাই তাত তাইৰ গাত ভূত লম্ভাৰ বাহনা কৰে ; আৰু সেই খবৰটো যাতে ভৈৰাৰ কাণত পৰেহি, তাৰো জাই দিহা নকৰি নেৰে। ফলত ভৈৰাই তাইক লৈ আহি জৰাফুকা কৰা বেজ লগাই তাইৰ গাৰ পৰা ভূত খেদাৰৰ দিহাত লাগি যায়। কিন্তু বাপেকৰ ঘৰ

পালে তাইৰ গাৰ ভূত উধাতু খাই পলাবলৈ সৰহ পলম নালাগে।

ওচৰৰ ডাকবঙলাৰ চৌকিদাৰৰ ঘৈণীয়েকজনী আদহীয়া বুঢ়ী। তাই খৰ নোমটেঙৰী। ভৈৰাৰে সৈতে একে জাতৰ। তাই ভৈৰাক নাকী লগাই ঘূৰাই নচুৱাই লৈ ফুৰায়। ভৈৰাৰ দূৰ্গতিৰ কথা লক্ষ্য কৰি, মই এদিন তাইক আৰু ভৈৰাক মোৰ আগলৈ মাতি আনি কলো,—"ভৈৰা। তই তোৰ চুৰিয়াখন এই বুঢ়ীক দি, তাইৰ শাৰীখন পিন্ধিলে তোক শুৱাব। মোৰ কথা তহঁত দুয়ো ৰাখ যদি এতিয়াই খজাবৰ পৰা এসেৰ মিঠাই অনাই তহঁত দুইকো খাবলৈ দিম।"

ভৈৰাই মিঠাইৰ লোভত কলে,—"কি কথা আছে, হজুৰ, হজুৰে হুকুম দিছে যেতিয়া মই পিন্ধিম তাইৰ শাৰী।"

কিন্তু চকিদাৰণী সাত বিহুৰ সৈখাকণী। তাই মোৰ ঠাট্টাটো বুজি হাঁহি একো উত্তৰ নিদি গুচি গল।

কেতিয়াবা কেতিয়াবা ভৈৰাক মোৰ গা-মূৰ, হাত-ভৰি পিটিকিবলৈ দিওঁ। সি ইমান বল প্ৰয়োগ কৰি পিটিকে যে ধৃতৰাষ্ট্ৰৰ টেপাত লোৰ ভীম চূৰ হোৱাদি মই চূৰ হৈ পৰিবৰ উপক্ৰম হওঁ। অগত্যা তেতিয়া আত্মৰক্ষাৰ অৰ্থে তাক সেই কাৰ্য্যৰ পৰা বিৰত কৰিহে পৈতৃক প্ৰাণটো ৰক্ষা কৰোঁ। ঈশ্বৰৰ কি বিধান কৰ নোৱাৰোঁ, তাৰ ঘৈণীয়েকজনীৰে সৈতে তাৰ ৰাজযোটক। শাস্ত্ৰিকতে "যোৰৰো যোৰ বিপৰীত যোৰ" তায়ো. ধুম কালৰী ; সেইদেখি তাইৰো নাম ভৈৰী। তায়ো গিৰিয়েকৰ দৰে বুদ্ধিত বৃহস্পতি। কাউৰীয়ে তাইৰ মুখৰ পৰা ভাত কাঢ়ি খাই গুচি গলেও তাই কৰ নোৱাৰে। ভৈৰা আৰু ভৈৰী দুয়ো যেতিয়া ঘৰ-সংসাৰৰ কথা পাতে, আমি চৰ্ম্মচকুৰে নেদেখোঁ দেখিছে, তেতিয়া নিশ্চয় দেৱতাসকলে বিমানত উঠি সেই অপৰূপ দৃশ্য চাই থাকে। সংসাৰত সকলো কাৰ্য্যৰে অদ্ভুত গতি। দূৰলৈ যাবই নালাগে, এই ভৈৰা পৰিয়ালতে সকলো অদ্ভুত আছে। তাৰ ছোৱালী কেইজনী আৰু লৰাটো ইমান টেঙৰ যে সিহঁতৰ চকুত আঙুলিকে দিব নোৱাৰি।

ভৈৰাৰ চৰিত্ৰৰ আৰু এটা কথা উল্লেখ কৰি এই চিত্ৰাঙ্কনৰ সামৰণি মাৰিম। সি বাগিচাত কাম কৰোঁতে যে ভুল কৰিয়েই যায় এই কথাত ভুল নাই। কিন্তু যেতিয়া তাক সেইদৰে ভুল নকৰি আনদৰে কৰিবলৈ কোৱা যায়, তেতিয়াই সি সেই সূচনিমতে কৰিলে কামটো কেনে ভাল হব, সেইটোৰ গুণৰ বিষয়ে মোৰ আগত এখকলা ব্যাখ্যা কৰি, মোকে উলটি বুজাবলৈ লাগি যায়, যেন সেই নতুন বাটটো অৱলম্বনৰ কথাটো অকল তাৰ মূৰৰ পৰাহে উত্তৰ হল। *

* (বাঁহী—২১ বছৰ, ভাদ, ১৮৫৪ শক- ৫ম সংখ্যা)

॥ সাধুকথা ॥

॥ শিশু সাহিত্য ॥

* ককা-দেউতা আৰু নাতি লৰা
* বুঢ়ী-আইৰ সাধু
* ভগৱৎ কথা
* জুনুকা
* বাখৰ
* কামত কৃতিত্ব লভিবৰ সংকেত

ককা-দেউতা আৰু নাতি-ল'ৰা

প্ৰথম সাধু

জাৰকালি গধূলি ককাকক জুহালৰ ওচৰত জুই পুৱাই থকা দেখি নাতিয়েকে পিছ ফালৰপৰা ককাকৰ পিঠিত সাবট মাৰি ধৰি ক'লে—"ককা-দেউতা, সাধু এটা কোৱা।" ককাকে মিচিকীয়া হাঁহি মাৰি উত্তৰ দিলে, "নকওঁ, যা, গুচ।"

নাতি।—"কিয় নকৰা ককাদেউতা ? কবই লাগিব। কলে হে মই এৰিম।"

ককা।—"কব লাগে যদি তই ভাল ল'ৰা নহ কিয় ? উভতি কৰি থাক কিয় ? পঢ়া-শুনা নকৰ কিয় ?"

নাতি।—"আজিৰপৰা মই ভাল ল'ৰা হ'ম ককাদেউতা। উভতি নকৰো। পঢ়িম-শুনিম। তুমি সাধু কোৱা।"

ককা।—"ঠিক কৈছ নে ?"

নাতি।—"ঠিক কৈছো। তুমি আজি সাধু এটা কৈ মোৰ কথাৰ প্ৰমাণকে চোৱা। তুমি কিন্তু দিনৌ জুহালৰ গুৰিত বহোতে মোক একো-টাকৈ সাধু কব লাগিব ; তেহে।"

ককা।—"বাৰু, আমাৰ দুয়োৰো ভিতৰত এই কথা ৰ'ল,—মই দিনৌ একোটা সাধু ক'ম, আৰু তই দিনৌ পঢ়া-শুনা কৰিবি, উভতি নকৰি সোণামুৱা ল'ৰা হবি। আজিৰটো সাধু শুন"—

কুকুৰাচোৰাই আৰু বামুণৰ সাধু

এহাল নিমাখিত বামুণ বামুণী আছিল। এদিন বামুণে গঁৱলৈ যাওঁতে এটা কুকুৰা চৰায়ে এটা বৌ মাছ ধৰি আনি এখন দলনি পথাৰত আতোঁপুতোঁকৈ খাব খোজা দেখি লৰি গৈ চৰাইটোৰ মুখৰপৰা মাছটো কাঢ়ি আনিলে। মুখৰ টোপটো যোৱা দেখি চৰায়ে আকাশত নিৰাশ হৈ বেজাৰ মনেৰে কবলৈ ধৰিলে,—"পৰলৈ দুখ কৰা কোনো সকাম নাই।" সেই দিনাৰপৰা কুকুৰাটোৱে একো নকৰি সদায় মাছটোৰ কথাকে ভাবি থাকে আৰু বামুণক শাও দি আপোন:-আপুনি কয়, "মোক যেনেকৈ তই নিৰাশ কৰিলি, তয়ো তেনেকৈ নিৰাশ হবি।" সি মাছৰ কথাকে গুণি-ভাবি থাকি শোকত লাহে লাহে শুকাই-খীণাই গৈ এদিন মৰি থাকিল। বামুণে মাছটো আনি ঘৰত মহা আনন্দেৰে খাই-বৈ আছে। কিছুদিনৰ মূৰত বামুণৰ এটি ল'ৰা উপজিল। ল'ৰাটি এনে ৰূপহ হৈ উথলি আহিছিল যে, তাক যেয়ে দেখে সেয়ে একোলা লবলৈ বিচাৰিছিল। বামুণ বামুণীয়ে ল'ৰাৰ মুখ দেখি ভোক-পিয়াহলৈ পাহৰিছিল।

আজি কালিকৈ ল'ৰাটো ডাঙৰ হৈ আহিল। ৰূপে গুণে ল'ৰাক কেউপিনে পেলাব নোৱাৰা দেখি বামুণ বামুণীৰ আনন্দত পাৰ নোহোৱা হৈছিল। আপুতৰ পুত হৈ ল'ৰাটি ইমান মোহ-লগা হৈছিল যে বামুণ বামুণীয়ে তাৰ হৈ সদায় নিজৰ দেহাকে দিবলৈ আগ কৰি থৈছিল। ল'ৰাটি চফল ডেকা হওঁতেই বিধতাৰ বিৰম্বনাত নিঠুৰ কালে বামুণ বামুণীৰ বুকু উফৰাই তাক মাৰি লৈ গুচি গ'ল। যি দিন ধৰি ল'ৰাটি মৰিল সেই দিন ধৰি বামুণ বামুণীৰ চকুৰ লো নুগুচা হ'ল। দুইৰো শোৱন-খাৱন গুচিল, আৰু ৰাতিয়ে দিনে দুয়ো নিজৰ হিয়া খুনি আধামৰা হ'ল। "কাঁৱৰিচিৰাঁয়ী যমে আমাক ইমান জীয়া জুই দিলে, তাক লো পুৱা-গধূলি সদায় যেইকালি থাকিলে সি কেনে পাব" এইবুলি বামুণে ঢেঁকীটোকে নিতৌ ঘুমুৰ ঘুমুৰকৈ, যমৰ হিয়া খুন্দিছোঁ বুলি কৈ, খুন্দি থাকে।

বামুণে এনেকৈ দুখ-বেজাৰ কৰি ঢেঁকী খুন্দি থকা দেখি, এদিন ৰাতি বামুণক সপোনত কলে, "তুমি যে সদায় একেবাহে ঢেঁকী খুন্দি হিয়া জুৰুৱাই পুতেৰাক বিচাৰি আছা, সেই পুতেৰাক তুমি দেখিবলৈ পাবা ; মাথোন মই এটা কথা কওঁ তাকে তুমি কৰিবা—কাইলৈ তুমি ভিতৰৰপৰা দুৱাৰ মাৰি তোমাৰ গোসাঁই-ঘৰতে শুবা, আৰু তিনি দিনলৈকে

কোনেও ভালে গৈ তুমি নিজে নুঠা মানে, তোমাক জগাবলৈ হাক দিবা।"

পিছদিনা পুৱা বামুণে সপোনৰ কথা বামুণীক ভাঙিছিঙি কৈ সেই মতেই তেওঁৰ গোসাঁই-ঘৰৰ ভিতৰত শুই থাকিল। বামুণৰ যেতিয়া ভৰ-টোপনি আহিল, তেতিয়া যমদূত এটাই বামুণৰ দেহাটো তাতে থৈ জীৱটো লৈ যমপুৰি পোৱালেগৈ। বামুণে যমপুৰীত কত যে লীলাখেলা দেখিলে তাৰ সীমা-সংখ্যা নাই; যমদূতে কোনো কোনো পাপীক হালে হালে সাঙুৰি খুন্দি তাও কৰিছে; কোনোক ওভোতাই বোট চেলাই খাৰণীত জুবুৰিয়াইছে; অধাইটং পাপীবোৰক সিহঁতৰ জিভাত শলা মাৰি মহ টনাদি টানি নি নৰকৰ কুণ্ডত পেলাইছে; যমদূতবোৰ জুমে জুমে ফুৰি ফুৰিছে, হো-হো কৰে আহিছে-গৈছে। এইদৰে নানা ঠাইত নানা তৰহৰ কথা দেখি বামুণৰ শ্ৰুতি-বুদ্ধি হেৰাল, আৰু খণ্তহত আঁহতৰ পাত কঁপাদি ভয়ত বামুণ কঁপিবলৈ ধৰিলে।

দূতে নি বামুণক যম ৰজাৰ ওচৰত ভেটালেগৈ। বামুণ ভয়ত ঠক্ ঠক্ কৰে কঁপা দেখি যমে তেওঁক ক'লে,-"বাপুদেউ তুমি ভয় নকৰিবা। তুমি বাৰু এই ডেকা মানুহৰখাৰ ফাললৈ চকু দিয়াচোন, তাত তোমাৰ পুতেৰা আছেনে নাই?" বামুণে সেই ফাললৈ চাই দেখিলে যে তেওঁৰ পুতেক তাতে আছে। পুতেকক দেখি বামুণে বং মনেৰে যমক ক'লে যে "হয় মহাৰাজ, মোৰ পো সৌটো।" বামুণৰ উত্তৰ শুনি যমে ক'লে, "তাক ইয়ালৈ মাতাচোন; যদি সি নাহে, তেন্তে তুমিযেই তাক মাতি আনাগৈ।" বামুণে পুতেকক মাতিলত পুতেক নহা দেখি তাৰ ওচৰলৈকে তেওঁ গৈ "হেৰ বোপাই, মই আহিছোঁ নহয়; তই এইপিনে আহচোন" বুলি মাতিলে। বামুণে এইদৰে তিনি চাৰিবাৰ মতাতো পুতেকে তেওঁৰ ফালে উভতিকে নোচোৱাত তেওঁ তাক হাতেৰে খোকোটা মাৰি কলে, "হেৰ বোপাই, এইফালে চাচোন, মই তোৰ বাপেৰ।" পুতেকে এই কথা শুনি বাপেকৰ ফালে চাই বেজেৰা মাতেৰে কবলৈ ধৰিলে, "তই মোক ক'ব পো পাইছহি অ'? মই তোৰ পুতেৰ নহওঁ। তাহানি যে তই কুকুৰা চৰাইটোক বেজাৰ দি তাৰ মুখৰ টোপটো কাঢ়ি লৈ গৈছিলি, তাৰ পোটক তুলিবলৈ হে মই তোৰ পুতেৰ হৈ জনম ধৰিছিলোঁ। এতিয়া মনত পৰিছে নে? মোৰ মনত তই যেনেকুৱা জুই দিছিলি, তোৰ মনতো মই তেনেকুৱা জুই দি গুচি আহিলোঁ।"

পুতেকৰ উত্তৰ শুনি বামুণে মন মাৰি তাৰপৰা গুচি আহি যমৰ আগত ক'লে, যে "সেইটো মোৰ পো নহয়।" বামুণৰ কথা শুনি যমে তেওঁক ক'লে, "তোমালোকে মোক অকাৰণত দোষ দিছিলা; এতিয়া দেখিলা কাৰ দোষ?" এই বুলি যমে দূতৰ চকুলৈ চাই ঠাৰ দিলত, দূতে বামুণক ততালিকে লৈ আহি আকৌ বামুণৰ গোসাঁই-ঘৰ পোৱাই দেহাটোৰ ভিতৰত সুমাই থৈ গুচি গ'ল। বামুণে সাৰ পাই বামুণীক সপোনৰ সকলো কথা ভাঙি-পাতি ক'লে, আৰু তেতিয়াৰপৰা বামুণ বামুণীয়ে মৰিযোৱা পুতেকৰ হকে শোক কৰিবলৈ এৰি পেলালে।

দ্বিতীয় সাধু

নাতি—"ককাদেউতা, কালিৰ সাধুটো বেছ।
আজিও এটা কব লাগিব নহয়।

ককা।—"লাগিব তো। মই কথাৰ
'খিলাপ' নকৰো, তয়ো নকৰিবি শুন"—

এক হাতী আৰু কেঁচাৰ কথা

এক নদীৰ কাষত এক কেঁচাই এজোপা গছৰ খোৰোঙত বাহ লৈ আছিল। সেই গছৰ তলেদি এক গজেন্দ্ৰ নামেৰে হাতীয়ে সদায় পানী খাবলৈ অহা-যোৱা কৰিছিল। দৈৱাৎ এদিন কেঁচাই বাহ লোৱা গছজোপা পানীত হালি পৰিল। কেঁচাই একো উপায় নাপাই হাতীৰে সৈতে সখি বন্ধাই সেই গছডাল পোন কৰি ললে! সেই দিনাৰপৰা কেঁচা আৰু হাতী দুয়ো দুয়োৰো মহা মিত্ৰ হ'ল। এদিন পাৰ্ব্বতীৰ বাঘে সমাজিক দেখিলে যে সি গজেন্দ্ৰ হাতীৰ মূৰটো খাইছে। স্বপ্নৰ ফলৰ কথা বাঘে মহাদেৱক সোধাত মহাদেৱে বাঘক ক'লে, "স্বপ্নত দেখিছ যেতিয়া, তই গজেন্দ্ৰৰ মূৰটো খাব পা। যা খা গৈ।" বাঘে মহাদেৱৰ কথা শুনি সেই নদীৰ কাষলৈ গৈ হাতীলৈ বৈ আছে। সিফালৰপৰা হাতী পানী খাবলৈ আহিলতে বাঘে হাতীক ক'লে, "ককাই, আজি তোৰ মূৰটো সমাজিকত খাইছিলোঁ, পিছে ভিঠকতো খাব পায় নে বুলি মই মহাদেৱক সোধাত মহাদেৱে খাবলৈ মোক আজ্ঞা দিছে; এতেকে এতিয়া মই তোক খাওঁ। তই কি কৰ. কৰি ল বেগতে।" বাঘৰ কথা শুনি হাতীৰ মহা ভয় হ'ল; আৰু সি একো নামাতি বৈ থাকিল। কেঁচাই সখিয়েকৰ ভয় দেখি বাঘক ক'লে, "বাৰু মহাদেৱে যদি তোমাক খাবলৈ দিছে খাবা, তাত কোনো কথা নাই; কিন্তু কথাটো সঁচা নে মিছা আমি এবাৰ মহাদেৱক সুধি লওঁ। এতেকে বলা আমি তিনিও মহাদেৱৰ ওচৰলৈ যাওঁ।" বাঘ কেঁচাৰ কথাত সন্মত হ'লত তিনিও

মহাদেৱৰ ওচৰলৈ বুলি খাট বুলিবলৈ ধৰিলে। কিন্তু কেঁচাই সিহঁতক পাচ পেলাই আগেয়ে গৈ মহাদেৱৰ আগত পৰি টোপনিৰ ভাও জুৰি তাৰ মূৰটো নচুৱাবলৈ ধৰিলে। মহাদেৱে "কেঁচাৰ কি হৈছে" বুলি সোধাত কেঁচাই চক্‌মক্ খাই সাৰ পোৱা যেন দেখুৱাই ক'লে, "প্ৰভু মই এতিয়াই স্বপ্নত পাৰ্ব্বতীক বিয়া কৰাইছিলোঁ, পাছে ডিঠকতো বিয়া কৰাবলৈ পাম নে নেপাম?" মহাদেৱে ক'লে, "স্বপ্নত পালি বুলিয়েই পাবি নে? নেপাৱ।" কেঁচাই কলে, "কিয়, তেনেহলে বাঘে নো কেনেকৈ স্বপ্নত গজেন্দ্ৰক খোৱা দেখি ডিঠকত খাবলৈ পালে?" মহাদেৱে ক'লে "অ, বাঘেও গজেন্দ্ৰক খাব নোৱাৰে।" এনেতে হাতী আৰু বাঘ আহি ওলালহি। বাঘে হাতীক খাব নোপোৱা শুনি বিমৰ্ষ হৈ ৰ'ল, হাতীয়ে কেঁচাৰে সৈতে ৰং মনেৰে গুচি আহিল।

— —

তৃতীয় সাধু

নাতি।—"ককাদেউতা, তুমি কালি এধানমান সাধু এটা কৈ গা সাৰিলা। আজি এটা ডাঙৰ সাধু কব লাগিব, নহলে নেৰো।"

ককা।—"বাৰু শুন; আজি ডাঙৰ সাধুকে ক'ম।"—

বৰচোৰ

কোনো এখন দেশত কিছুমান চোৰ আছিল। সিহঁতৰ ভিতৰত এটা সকলোতকৈ অঘাইটং চোৰ আছিল। সেই চোৰটোক তাৰ লগৰীয়া সকু আন আন চোৰে 'বৰ চোৰ' বুলি মাতিছিল। তাৰ এটা পুতেক আছিল। সিও সেই বিদ্যাত বাপেকৰ সৰনীয়া হৈছিল। বাপেকে এদিন ভাবিলে, "মই মৰিলে মোৰ পোৱে মোৰ নাম ৰাখিব পাৰিব নে নোৱাৰে এই কথাৰ প্ৰমাণ চাব লগীয়া হ'ল।" ইয়াকে ভাবি এদিন সি পুতেকক ওচৰলৈ মাতি আনি সুধিলে, "বোপাই ঔ, মোৰ আজি-কালিকৈ আয়ুস টুটি আহিবলৈ ধৰিছে; পাছে তই জানো মোৰ পো বুলি চিনাকি দিব পাৰিবি? আৰু বংশৰ নাম ৰাখিব পাৰিবি?" এই বুলি সোধাত পুতেকে উত্তৰ দিলে,—"পিতাই, তুমি মোক তুলি-তালি ডাঙৰ-দীঘল কৰিছা যেতিয়া তোমাৰ 'বিদ্যা' মই ৰাখিবই লাগিব। নহলে তোমাৰো নাম নুমাব, আৰু মোকো লোকে অহকা বুলি হাঁহিব।" এই কথা শুনি বাপেকে ৰং পাই ক'লে, "মোৰ বোপাই, তই মোৰ নাম ৰাখিবি বুলি মই আশা কৰিছোঁ। কিন্তু তেনেহলে তই এটা মহলাত উঠিব লাগিব, তেহে মোৰ মনৰ খুকুৰি যাব।" এদিন বাপেকে পুতেকৰ ইণ্টাহান পাতি ৰাতি তাৰ ঘৰৰ সকলো লোটা-বাটিবোৰত পানী ভৰাই, পুতেকক বাহিৰত উলিয়াই থৈ, দুৱাৰ-খৰ মাৰি শুই থাকিল। ৰাতি দুপৰ হ'লত পুতেক চুৰ কৰিবলৈ সাজু হ'ল। সি ঘৰৰ কেউপিনে চাই দেখিলে যে, সিন্ধি দিয়াৰ বাহিৰে আন উপায় নাই। সিন্ধি দিলেও, বাপেক নিজেই চোৰ গতিকে বাপেকে সাৰ পালে তাৰ পলাবলৈ টান হব। ইয়াকে ভাবি আন এটা উপাই চিন্তি সি ওচৰৰ হাবিৰপৰা কেইডানমান দীঘল নল আনিলে। নল কেইডাল লৈ লাহেকৈ সি চালৰ ওপৰত উঠিল, আৰু য'ত লোটা-বাটিবিলাক আছিল ঠিক সেই পিনেই এটি সৰু বিন্ধা কৰি সেই বিন্ধা-টোৰেদি লোটা-কলহৰ পানীবিলাক নলেৰে শুহি আনিলে। শেহত বাপেকে সিমানতো সাৰ নোপোৱা দেখি সি বিন্ধাটো ডাঙৰ কৰি সেই পিনেই সৰকি বেৰেদি বগাই ভিতৰ সোমাল; আৰু লাহেকৈ দুৱাৰ মেলি লৈ নৰানবিকৈ লোটা-কলহবোৰ বাহিৰলৈ উলিয়ালে। সিমানতো বাপেকে সাৰ নোপোৱা যেন দেখি সি এডাল জৰী আনি বাপেকক হাতে-ভৰিয়ে বান্ধিলে আৰু এনে ভাৱে বাহিৰলৈ দাঙি আনিলে যে বুঢ়াই পাটীত শুয়েই আছে নে কি কৰিছে গমকে ধৰিব নোৱাৰিলে। যেতিয়া সি বুঢ়াক মাটিত থলেহি তেতিয়াহে বুঢ়াই সাৰ পালে আৰু পুতেকক নথৈ শলাগি বস্তুবিলাক ভিতৰ সুমাই শুই থাকিল।

এইদৰে বাপেক-পুতেকে নিজে বৃত্তি চলাই-মেলি অনেক দিন আছে। এদিন বাপেক-পুতেক দুয়ো ৰজাৰ ঘৰত ৰাণীৰ অলঙ্কাৰ চুৰ কৰি আনিবলৈ মন কৰি সিন্ধি দিলেগৈ। বহুত আঁতৰৰ পৰা সিহঁতে সিন্ধিটো নৰানবিকৈ খানি নি ৰাণী শুই থকা পালেঙৰ তলত ওলালগৈ। বাপেক-পুতেক দুয়ো পালেঙৰ তলৰপৰা চাই দেখিলে যে বেটী দুজনীৰ টোপনি আহিছে, চাকিটো তেজ নাইকিয়া হৈ নুমাব লগা হৈছে, ৰাণীয়েও টোপনিত ঘোৰঘোৰাব লাগিছে। ইফালে পালী-পহৰীয়াও নাই। এনেতে বাপেকে পালেঙৰ তলৰপৰা ওলাই ৰাণীৰ গাৰ অলঙ্কাৰবিলাক সোলোকাই আনি পুতেকৰ হাতত দিলে; কিন্তু ডিঙিৰ হাৰধাৰ থাকি গ'ল। সেইদেখি পিছবাৰ সেই হাৰধাৰ আনিবলৈ গৈ সি ৰাণীৰ ডিঙিত হাত দিওঁতেই ৰাণীয়ে সাৰ পাই "কোন কোন" বুলি উঠিল। এনেতে চোৰক মোৰে পালে। পালী-পহৰীয়াও জাঁপ মাৰি একে খেদাতে তাৰ ওচৰ পালেহি। বুঢ়া সাৰিবৰ উপক্ৰম কৰি সিন্ধিত সোমাওঁতেই তাৰ ঠেংটোতে সিহঁতে ধৰি পেলালে। যেতিয়াই সিহঁতে

তাৰ ঠেঙত ধৰিলে, পুতেকে বহুত কথা ভাবি-চিন্তি বুঢ়াৰ মূৰটো কাটি লৈ গুচি গ'ল।

ৰজাৰ মানুহে ঠেঙত ধৰি বুঢ়াক টানি আনি চাই দেখে, তাৰ মূৰটো নাই, কেৱল গাডোখৰ হে আছে। সেই ধাৰে চোৰটো কোন ঠিক কৰা টান হ'ল। সেই মুহূৰ্ত্তত ৰজাক সকলো বৃত্তান্ত জনোৱা হ'ল। ৰজাই তেতিয়াই তেওঁৰ কটোৱালহঁতক মাতি আনি পাচিলে যে "তহঁত দিহাদিহি যা, ক'ত মানুহে কান্দে, ক'ত মানুহ ধৰি দিয়ে, তাৰ ভু লৈক। য'তে মানুহক ধৰি দিয়া দেখ বা য'তে মানুহক কন্দা শুন তাৰপৰা সিহঁতক মোৰ শুৰিলৈ ধৰি আনিবি।" সেই কথা শুনি কটোৱালবোৰ দিহা-দিহি গ'ল।

ইফালে ধৰচোৰৰ পুতেকে বাপেকৰ মূৰটো কাটি আনি মাকক সকলো বৃত্তান্ত ক'লে। মাকে সেই কথা শুনি কান্দিবলৈ বাউচি ধৰোতেই পুতেকে মাকৰ ভৰিত দীঘল দি পৰি কৰলৈ ধৰিলে, "আই, এতিয়া মই পিতৃৰধী। তুমি যদি চিঞৰি চিঞৰি কান্দা তেনেহলে ৰজাৰ মানুহে শুনি লৰি আহিব আৰু মোক নখে শাস্তি কৰি মাৰিব। তাকে চাই তুমি যদি কান্দা কান্দা।"সেই কথা শুনি মাকে কোনোমতে কান্দোন সামৰি থাকিল আৰু পুতেকক ক'লে "বোপাই মোৰ অন্তৰত ইমান বেজাৰ লাগিছে, যে যদি মই কিছুমানপৰ নাকান্দো তেন্তে মই থিবেৰে থাকিবই নোৱাৰোঁ।" পুতেকে মাকক বুজাই ক'লে যে কান্দিবৰ অনেক সময় আছে, আৰু যদি কান্দিবই লাগে, দেখা-শুনাকৈ কন্দাই ভাল। এই দৰে দুযোৰো বেজাৰ দুযোতে খৈ পিছদিনা পুৱা মাকে এজোৰ গাখীৰ গুড়, একঠামান চকোৱা চাউল লৈ ভাৰখন পাতি, আগতে পুতেকৰ কান্ধত ভাৰখন দি পাচে পাছে তোৱালী খুজিবলৈ ওলাই যোৱাৰ ছলেৰে যাবলৈ ধৰিলে। এনেতে পুতেক পিচলি পৰিল আৰু গাখীৰ-গুড়ৰ কলহ দুটা ভাগিল। মাকে সেইধাৰে পুতেকক মাৰিলে আৰু ইয়াকে চেলু লৈ দুয়ো হুৰাওৰবাৰে কান্দিবলৈ ধৰিলে। ইফালে ৰজাৰ কটোৱালে কান্দোন শুনি আহি কন্দাৰ কাৰণ সোধাত জানিব পাৰিলে যে কোনো মানুহ মৰাৰ কাৰণে সিহঁতে কন্দা নাই; সিহঁত দুখীয়া মানুহ, গাখীৰ-গুড় ভগাতহে সিহঁতে কান্দিছে। সেইদেখি কটোৱালহঁতৰ মৰম লাগি মাক পুতেকক কড়ি দুঅঁৰা দি খৈ গুচি গ'ল।

পাছদিনা তিনদিন পৰিল। কিন্তু বাপেকক তেতিয়ালৈকে ধৰি দিয়া নহ'ল। পুতেক বিবুদ্ধি। ধৰি দিবও নোৱাৰি; ৰজাৰ কটোৱালে ধৰিব। ভাবি-চিন্তি সি বুধি উলিয়ালে যে ধৰি দিয়াৰ লগে লগে পিণ্ডৰো দিহা কৰিব লাগে। ইয়াকে ভাবি সি হাবিৰ মাজলৈ বাপেকৰ মূৰটো লৈ গ'ল;— বহুত কাঠৰ তলত মূৰটো থলে আৰু ওপৰত দুটা চৰুত মণ্ডমাহ জহা-চাউল দি তলত জুই জলাই দিলে। যেতিয়া মূৰত জুই লাগিলগৈ, মানুহ পোৰাৰ গোন্ধো চাৰিওপিনে ওলাই গ'ল। গোন্ধ পাই কোটোৱাল-হঁত লৰি আহিল। আহি সিহঁতে দেখিলে যে তাত মানুহ পোৰা নাই; এক সন্ন্যাসীয়ে গাত ছাই সানি ভাং হুপি জুইৰ ওচৰতে বহি আছে। সিহঁতে সন্ন্যা-সীক ভক্তিভাৱে সেৱা কৰিলে। সন্ন্যাসীয়েও সিহঁতক অভয় দি ওচৰলৈ মাতিলে, আৰু ভাং খুৱাই ভোল নিয়াই প্ৰসাদ খাবলৈ দিলে।

যেতিয়া বাপেকৰ মূৰ পোৰা শেষ হ'ল তেতিয়া সিহঁতক সন্ন্যাসীয়ে সেই ভাতকে খুৱাই পঠিয়াই দিলে। ইয়াৰ পিছত পুতেকে ঘৰলৈ গুচি আহি মাকৰ আগত সকলো বৃত্তান্ত ভাঙি ক'লত মাকৰ আনন্দ মিলিল।

আকৌ বাপেকৰ কাজৰ সময় হ'লহি। তাৰ নিমিত্তে সি সকলো দিহাপোহা কৰিলে, আৰু মাহৰ শেষত বাতি কাজ পাতিবলৈ ঠিক কৰিলে। কিয়নো, ৰজাৰ পুৰোহিতজন কুকুৰীকণা। সি কাজৰ দিনা বাতি গৈ বামুণক কান্ধতকৈ লৈ আহিলগৈ। বামুণৰ ঘৰৰপৰা ধৰচোৰৰ ঘৰলৈ আহোঁতে এখন নৈ আৰু এটা গড় পাৰ হব লাগে। সি সেই নৈ আৰু গড় দুইটাকেই বামুণক সাতবাৰকৈ পাৰ কৰালে আৰু তাৰ সাতোটা নাম বামুণৰ আগত ক'লে। তাৰ পিছত ঘৰ পাই সি বামুণৰ হতুৱাই কাজ কৰাই ধৰণত ৰজাঘৰীয়া অলঙ্কাৰবোৰ দি বামুণক আকৌ কান্ধতকৈ আনি ৰজাৰ ধৰ-চ'ৰাতে বহুৱাই খৈ গুচি গ'ল। পিছদিনা বাতিপুৱাই আকৌ সি গৈ ধৰ-চ'ৰাৰ এচুকত পেট পেলাই পৰি থাকিলগৈ।

ৰাতিপুৱা ৰজাৰ মানুহখিনাকে উঠি দেখে যে, ৰজাৰ পুৰোহিতে চোৰে-নিয়া ৰজাঘৰীয়া অলঙ্কাৰবোৰ পিন্ধি ৰজাৰ চ'ৰাত বহি আছে। এই খবৰ গৈ ৰজাৰ কাণত পৰিলগৈ। ৰজা লৰালৰিকৈ আহি দেখে যে কথা সঁচা; পুৰোহিতে ক'লে যে কোনে তেওঁক বাতি সেইদৰে তাত বহুৱাই থলে তেওঁ কব নোৱাৰে। ৰজাই যাই বিষয়াসকলেৰে সৈতে মেলত বহিল। শেহত কোনোমতে চোৰ উলিয়াবৰ বুধি নাপাই ৰজাই চোৰক ধন্যবাদ দিব লগাত পৰিল। তেতিয়া ৰজাই কলে যে "যদি মই এই চোৰটোক পাওঁ, তেন্তে সত্যে সত্যে কৈছোঁ তাক মোৰ ডেকা-মন্ত্ৰী পাতিম।" এই কথা শুনি ধৰচোৰৰ পুতেকে লাহেকৈ গা উলিয়াই দীঘল দি পৰি ক'লে, "স্বৰ্গ-দেও। কাটক বা মাৰক, ময়ে সেই চোৰ"। পাত্ৰ-মন্ত্ৰী সকলো আচৰিত হ'ল, ৰজাও অবাক।

কিন্তু এতিয়া আৰু কি কৰিব ?—প্ৰতিজ্ঞা কৰিলে যেতিয়া তেওঁ তাক ডেকা-মন্ত্ৰী পাতিব লগীয়া হ'ল ।

চতুৰ্থ সাধু

ককা ।—"কালিৰ সাধুটো কেনে লাগিল ? দীঘল নহয় নে ?"

নাতি ।—"ভাল লাগিছিল ; কিন্তু আৰু অলপ দীঘল হোৱাহেঁতেন আৰু ভাল হল-হেঁতেন । আজি কিন্তু তাতকৈও এটা দীঘল কব লাগিব ।"

ককা ।—"কওঁ শুন ।"—

বুঢ়া-বুঢ়ীয়ে বগৰিগছটি বোৱা

এটা বুঢ়া আৰু এজনী বুঢ়ী আছিল । এদিন বুঢ়া-বুঢ়ী দুয়ো মাগিবলৈ যাওঁতে বুঢ়াই এটি বগৰিগুটি আৰু বুঢ়ীয়ে এটি কড়ি পালে । দুয়ো ঘৰলৈ গৈ ভালকৈ মাটি এডোখৰ উলিয়াই বগৰি আৰু কড়ি পচাই থলে । অৱশেষত কড়ি পচি গ'ল, বগৰি গুটিৰ এটা পুলি গজি এজোপা গছ হৈ বগৰি লাগি পকি আছে ।

বুঢ়াই সদাই বগৰি ৰখিবলৈ মানুহ বিচাৰি ফুৰিছে ; এনেতে ওপৰেদি এটা কাউৰী উৰি যোৱা দেখি সুধিলে, "হেৰ কাউৰী, হেৰ কাউৰী, তই মোৰ বগৰি ৰখিব পাৰিবি নে ?" সি ধপ্ কৰে "তাত সংশয় নাই" বুলি উত্তৰ দিলে । বুঢ়াই ক'লে, "বাৰু তোৰ মাতটো মোক মাতি শুনাচোন ।" তেতিয়া সি "কা কা" কৰি মাতিবলৈ ধৰিলে । তাৰ মাত শুনিয়েই বুঢ়াৰ খং উঠি ক'লে, "যা, যা, যা, তই মোৰ বগৰি খাবিহে ।" তাৰ অলপ পাছতে এটা বগলী ওপৰেদি উৰি যোৱা দেখি বুঢ়াই সুধিলে, "হেৰ বগলী তই মোৰ বগৰি ৰখিব পাৰিবি নে ?" বগলীয়ে উত্তৰ দিলে "পাৰিম তো, নোৱাৰিম কাৰণ কি ?" বুঢ়াই ক'লে, "বাৰু মোক তোৰ মাতটো মাতি শুনাচোন ।" তেতিয়া বগলীয়ে "কক্ কক্" কৰে মাতিবলৈ ধৰিলত "তই বগৰি খাবি হে" বুলি পূৰ্ব্বৰ দৰে বুঢ়াই তাকো খেদাই দিলে । অৱশেষত এটা ফেঁচু ওপৰেদি উৰি যোৱা দেখি সি সুধিলে, "হেৰ ফেঁচু তই মোৰ বগৰি ৰখিব পাৰিবি নে ?" ফেঁচুৱে ক'লে "যদি তুমি কোৱা মই ৰখিব পাৰো ।" বুঢ়াই ক'লে, "বাৰু, তই তোৰ মাতটো মাতি মোক শুনাচোন ?" ফেঁচুৱে মাতিবলৈ ধৰিলে ।—

"ফেঁচু চু ফেঁচাই মৰা ।
যেই ফেঁচু মানুহ মৰা ॥"

মাত শুনা মাত্ৰকে বুঢ়াই তাক বগৰি ৰখিবলৈ হুকুম দিলে । ফেঁচু বগৰি ৰখিবলৈ লাগিল ।

এদিন এজন ৰজাই পহু মাৰিবলৈ গৈ সেই গছৰ গুৰি পাই জনদিয়েক মানুহক গছত উঠি বগৰি পাৰিবলৈ দিলে । মানুহ কিটাই বগৰিগছত উঠি আদখিনিমান পাওঁতেই ফেঁচুটোৱে থাপ মাৰি সিহঁতৰ চকুকিটা ফুটাই দিলে । মানুহকেটা নিৰুপায় হৈ মাটিত পৰিল । ৰজাই তাকে দেখি বহুত পুৰুষাৰ্থ কৰি ফেঁচুটো ধৰাই লৈ তেওঁৰ ৰাণীহঁতৰ হাতত দিলে ; আৰু ক'লে, "মোক এইটো আজি গধুলিকৈ ভাজি দিব লাগিব ।" ৰজা আকৌ চিকাৰলৈ গ'লত, তেওঁৰ বৈণীয়েক সাতোজনী একে-লগে গোট খাই ধেমেলীয়া সাধু কোৱাকুই কৰি আনন্দ লভি আছে, তাকে দেখি ফেঁচুটোৱেও লাহেকৈ মাত লগালে, "খাইদেউহঁত, মই খুব ভালকৈ গান গাব পাৰোঁ, নাচিবও পাৰোঁ ।" এই কথা শুনি তেওঁলোকে বং পাই চৰাইটোক গান গাবলৈ মোকোলাই দিলে । চৰাইটোৱে তেওঁলোকৰ আগতে বহুত সময় ঘূৰি ঘূৰি নাচি আছিল । তেওঁলোকে যেতিয়া নাচ দেখি আনন্দত বিভোল হ'ল, তেতিয়া সি উৰি নৰ মাৰিলে । তেতিয়া সিহঁত আটাইকেউজনী দিবুধি হৈ, চুক-ভেকুলি এটা বিচাৰি আনি ভাজি ৰজাক গধুলি ভাতৰ লগত খাবলৈ দিলে । ৰাতিপুৱা ৰজাই শুই উঠি হাতত লোটা লৈ মুখ ধবলৈ ধৰিছে, এনেতে ফেঁচুটো উৰি আহি ৰজাক সম্বোধন কৰি ক'লে, "হেৰ ৰজা, কালি তই মোক খাব নোৱাৰিলি ; খালি ভেকুলি ভজা ।" ৰজাই আচৰিত হৈ এজনী এজনীকৈ আটাইকেউজনী বৈণীয়েকক সুধিলে, কিন্তু সৰুজনীৰ বাহিৰে এজনীয়েও সঁচা উত্তৰ নিদিলে । ৰজাই খং উঠি ডাঙৰ কেজনীক হাতীৰে গচকাই মাৰিলে আৰু সৰুজনীক ৰাণী পাতি লৈ খাই-বৈ থাকিল ।

পঞ্চম সাধু

নাতি ।—"ককাদেউতা, কালি মোক ভাল ফাঁকি দিলা । দীঘল সাধু ক'ম বুলি এটা একেবেগতীয়া সাধু কৈ বাব মাৰিলা । সাধু-টোৰ সমানে যদি মই আজি লেখাপঢ়া কৰিলোঁ-হেঁতেন তেতিয়া কি হ'লহেঁতেন ?"

ককা ।—"কৰ এইটো অঁকৰা ল'ৰা 'অ' সাধুটো সৰু হলে হৰলা তাৰ বেচও তাকৰ হয় ? অকণমাণ সোণৰ বেচ এখৰাহি লোৰ বেচেৰে সৈতে সমান। বাৰু শুন আজি অলপ বৃজন সাধু এটাকে কম ।"—

ৰাক্ষস পণ্ডিত

সত্যকালত এক ৰাক্ষস আছিল। সি মানুহৰ বেশ ধৰি "পণ্ডিত" নাম লৈ এক ৰজাৰ নগৰত পঢ়াশালি পাতিলেহি। ৰাক্ষস পণ্ডিতে তাত সকলোৰে ল'ৰা পঢ়ায়, কেৱল বাঁৰী মানুহৰ ল'ৰা হে নপঢ়ায়। সেই নগৰতে আকৌ এজনী বাঁৰীৰ এটি ল'ৰা আছিল। পুতেকক পঢ়াবলৈ বাঁৰীৰ বৰ মন গৈছিল; কিন্তু পণ্ডিতৰ কথা শুনি মন ভোটা হ'ল। মন্ত্ৰীৰে সৈতে বাঁৰী মানুহজনীৰ চিনাকি আছিল। সেই নিমিত্তে বাঁৰীয়ে মন্ত্ৰীৰ ওচৰলৈ গৈ তাইৰ ল'ৰাটো মন্ত্ৰীৰ বুলি পঢ়াশালিত পঢ়ুৱাবলৈ পণ্ডিতক দিবলৈ মন্ত্ৰীক খাটনি ধৰিলে। মন্ত্ৰীয়েও বাঁৰীৰ কথাত লাগি সেই ল'ৰাটো পণ্ডিতৰ হাতত তেওঁৰ নিজৰ পুতেক বুলি পঢ়াবলৈ দিলে। ল'ৰাটিয়ে পণ্ডিতৰ লগতে থাকি লেখা-পঢ়া শিকিবলৈ ধৰিলে। পণ্ডিতে অলৈ-তলৈ গ'লে তেওঁৰ তন্ত্ৰ-মন্ত্ৰ থকা পেৰাটো, মছা ঘৰ এখোটালিত থৈ ল'ৰা-টোক ছুবলৈ হাক দি যায়। এদিন ল'ৰাটোৱে পণ্ডিত আঁতৰি গ'লত সেই পেৰাটোত নো কি আছে মনে মনে মেলি চালে। সি পেৰাটো মেলিলত তাত এটা মানুহৰ মূৰ আৰু কিছুমান পুথি-পাঁজি দেখিবলৈ পালে। সেই পুথিবিলাকত ৰাক্ষসৰ বিদ্যা অৰ্থাৎ নানান ৰূপ ধৰিব পৰা, মায়া হব পৰা, সৰ্ব্ব-জ্ঞান, ইত্যাদি বিদ্যা লিখা আছিল। তেতিয়া বাঁৰীৰ ল'ৰাই পণ্ডিতক ৰাক্ষস বুলি চিনিবলৈ আৰু বাকী নাথাকিল। সি দিনৌ পণ্ডিত ঘৰলৈ উভতি অহাৰ আগেয়েই লৰালৰিকৈ সেই পুথিবোৰ পঢ়ে আৰু পণ্ডিতে চিন ধৰিব নোৱাৰাকৈ আকৌ আগৰ-দৰে পেৰাত থৈ দিয়ে। এইদৰে পঢ়ি সি সেই বিদ্যাত খুব কাটন হৈ পৰিল। পণ্ডিতে কিন্তু এই কথাৰ গমকে ধৰিব পৰা নাছিল। এদিন পণ্ডিতে ল'ৰা-বিলাকক তেওঁৰ ঘৰ দেখুৱাবলৈ নিবলৈ ইচ্ছা কৰি মাতিলত সকলোবোৰে মাক-বাপেকহঁতক কৈ যি যি পাৰিলে শক্তি অনুসৰি ভাৰ-ভোট বান্ধি লৈ পণ্ডিতৰ ঘৰলৈ যাবলৈ ওলাল। সিহঁত ওলোৱা দেখি পণ্ডিতৰ আনন্দৰ সীমা নোহোৱা হ'ল আৰু মনে মনে ভাবিবলৈ ধৰিলে "ইহঁতক নি জ্ঞাতি-কুটুম্বৰে সৈতে ভোজ বান্ধি খামগৈ।" ইয়াকে ভাবি পণ্ডিতে ছাত্ৰবোৰেৰে সৈতে তেওঁৰ ঘৰলৈ খোজ ললে। কিছুমান বেলিৰ বাট যোৱাৰ পাছত তেওঁলোকে গৈ এখন নৈ পালেগৈ। নৈ দেখি ল'ৰাবিলাকে "কেনেকৈ পাৰ হ'ম ?" বুলি যেতিয়া পণ্ডিতক সুধিলে, পণ্ডিতে ক'লে, "তাৰ উপায় আছে, বাৰু তহঁতে চকু মুদ-হঁক। এটাই মোৰ গাত ধৰ, আন এটাই তাৰ গাত ধৰ, এইদৰে এটাইবিলাকে ইটোৰ গাত সিটোৱে ধৰাধৰিকৈ মোৰ পাছে পাছে আহি থাকহঁক, আৰু যেতিয়ালৈকে মই তহঁতক চকু মেল নোবোলো তেতিয়ালৈকে চকু নেমেলিবিহঁক; যদিহে মেল তেনেহলে এই পানীতে বৰিহঁক।" পণ্ডিত আগ বাঢ়িল। পণ্ডিতৰ গাত বাঁৰীৰ ল'ৰাই ধৰিলে, তাৰ গাত আন এটা ল'ৰাই ধৰিলে, সেইটোৰ গাত আন এটা ল'ৰাই ধৰিলে, আৰু বাকীবিলাকেও সেইদৰে এটাৰ গাত আনটোৱে ধৰি লানি লাগি পৰিল। সকলোৱে চকু মুদিলে কিন্তু বাঁৰীৰ ল'ৰাই চকু নুমুদিলে। সি পণ্ডিতে নো কি কৰে তাকে চাই থাকিল। পণ্ডিতে দুটা চুঙা উলিয়ালে; উলিয়াই প্ৰথমটো চুঙাৰে সোহা-মাৰি নদীখন শুহি পেলাই সিপাৰ হ'লগৈ, আৰু দ্বিতীয়টো চুঙাৰে ফু-মাৰি আকৌ আগৰদৰে নৈখন কৰি পেলালে। তাৰ পিছত সিহঁতক চকু মেলিবলৈ কৈ আকৌ আগৰদৰে পণ্ডিত যাবলৈ ধৰিলে। কিছুদূৰ বাট যোৱাৰ পাছত সিহঁতে আকৌ এখন নৈ পালেগৈ। এইখনো আগৰ-দৰে পণ্ডিতে সিহঁতক পাৰ কৰিলে। কিন্তু এইবাৰ পণ্ডিতে চুঙা দুটা খালিতে পুতি থৈ তাৰ পিছতহে সিহঁতক চকু মেলিবলৈ কৈছিল। এইবাৰো বাঁৰীৰ ল'ৰাই আগৰ দৰেই চাই আছিল। ঘৰ পাবলৈ অলপমান বাট থাকোতেই পণ্ডিতে সিহঁতক ক'লে, "বোপাইহঁত, তহঁত ইয়াতে অলপ ৰ, মই ঘৰৰপৰা আহোঁগৈ, তেহে তহঁতক নিব পাৰিম। মোৰ বৰ দৰকাৰ এটাত বেগাই আগবাঢ়ি যাওঁ, উভতি আহি তিলকতে তহঁতক লৈ যামহি।" সিহঁতে সিহঁতৰ গুৰুৰ কথা খুব শুনিছিল; সেই দেখি সিহঁত পণ্ডিতৰ আজ্ঞামতে তাতে ৰ'ল। পণ্ডিত আহি জ্ঞাতিক ভোজ দিবৰ নিমিত্তে ঠিক-ঠাক কৰিবলৈ ধৰিলে। ল'ৰাবিলাকে পণ্ডিত আহিব বুলি বাট চাই থাকিল, কিন্তু ভালেখিনি বেলি হ'লু, পণ্ডিত নাই। বাঁৰীৰ ল'ৰাই "ভাইহঁত, মই পণ্ডিতৰ ঘৰৰপৰা লৰি আহোঁগৈ, তহঁতে ইয়াতে থাক, তেওঁ নো কি কৰিছে মই বেগতে গৈ চাই আহোঁচোন" বুলি কৈ একে লৰেই পণ্ডিতৰ ঘৰ ওলালগৈ। সেই সময়ত পণ্ডিত ঘৰত নাছিল, দিহিঙে দিপাঙে থকা ৰাক্ষসবোৰ মাতিবলৈ আৰু পাত-পচলা গোটাবলৈ গৈছিল। ৰাক্ষসৰ ঘৰৰ বেৰত আঁৰি থোৱা মানুহৰ মূৰ দুটাই বাঁৰীৰ পুতেকক দেখি ক'লে, "হেৰঅ তই কলৈ আহিছ ? তোক ৰাক্ষসে খাব, এতিয়াই এই গাঁৱৰপৰা পলা, বেগতে পলা।" সি মূৰ দুটাৰ এই কথা শুনি তাৰপৰা তুৰন্তে পলাই

একে কোবেই নগৰীয়াহঁতৰ লগ পালেহি, পাই সিহঁতক সকলো কথা ভাঙি ক'লে। সিহঁতে শুনি ভয়ত থৰ্ থৰ্ কৰে কঁপিবলৈ ধৰিলে। বাঁৰীৰ ল'ৰাই "কোনো ভয় নাই, মই আছোঁ, বলহঁক আমি আমাৰ ঘৰলৈ উভতি যাওঁগৈ।" এই বুলি কৈ ঘৰৰ ফালে খোজ ললে। এনেতে সিফালৰ পৰা ৰাক্ষসটো লৰি আহি ল'ৰাবোৰক খোৱা ঠাইত নাপাই, অহা বাটেদি লৰিবলৈ ধৰিলে। বাঁৰীৰ ল'ৰাই, ৰাক্ষসে যেনেকৈ সিহঁতক চকু মুদাই লৈছিল সেইদৰে লৈ, বালিত ৰাক্ষসে পুতি থোৱা চুঙা দুটা উলিয়াই লৈ, এটাত ফু মাৰি নৈৰ পানী শুহি আৰু আনটোত ফু মাৰি পানী উলিয়াই থৈ দুইখন নৈ পাৰ হৈ গ'ল। ৰাক্ষসে খেদি আহি বাঁৰীৰ ল'ৰাক দূৰৰ পৰা দেখি চিঞৰি চিঞৰি ক'লে, "বাৰু ভাল বুকু চাই বাঁৰীৰ মাৰিলি তই। ৰা, ৰা, মইও গৈছোঁ পাছতে।" এই কথা কৈ ৰাক্ষস উভাঁত গ'ল। ইহঁত আহি গাঁও পাই ঘৰাঘৰি গুচি গ'ল। বাঁৰীৰ ল'ৰাই মাকৰ ওচৰত সকলো কথা ভাঙি ক'লেহি, আৰু সি ধন আৰ্জিবৰ মনেৰে মাকক ক'লে, 'আই, মই এটা ছাগলি হৈ থাকিম, তই মোক ৰজাৰত বেচিবলৈ নিবি, আৰু কোনোবাই কিনিবলৈ আহিলে তাক মোৰ পঘাডাল নিদি মোক বেচি দিবি। মই তোৰ পাছতে ওলামহি।" মাকে তাৰ এই কথা শুনি "বাৰু" বুলি শলাগি থাকিল। পুতেক ছাগলি এটা হ'ল। পাছদিনা মাকে তাক হাটত বেচিবলৈ নৈ গ'ল। পাছে সেই ৰাক্ষসেই ভেশচন কৰি আহি ছাগলিটোত বাঁৰীয়ে যিমান বেচ বুলিলে সিমান দি ছাগলিটো লৈ গুচি গ'ল। বাঁৰীয়ে ঘৰ পালত বাঁৰীৰ পিছতে পুতেক আহি ওলালহি। সি পাছ দিনা আকৌ এটা ৰাজহাঁহ হৈ থাকিল। মাকে তাক বেচিবলৈ টোম এটাত ভৰাই লৈ গ'ল। সেই ৰাক্ষসেই বাঁৰীৰ ল'ৰাক খাবলৈ বুলি আন এটা মানুহ হৈ আহি ৰাজহাঁহটো কিনিলে। এইবাৰো মাকে টোমটো নিদি ৰাখিলে। হাঁহ বেচি মাক ঘৰ পালেহি, সিও পিছে পিছে ঘৰ ওলালহি। ৰাক্ষসৰ মনত মহা খং উঠিল, আৰু "এইবাৰ কিনিব পাৰিলে তাক যিহতে আনে বা যিহৰে ধৰি বেচিবলৈ আনে সেই বস্তুটো নিদিওঁ" বুলি সি ঠিক কৰিলে। এইবাৰ বাঁৰীৰ পুতেক ঘোঁৰা এটা হৈ থাকিল। মাকে তাক ধৰি লৈ সেই নগৰৰ ৰজাৰত বেচিবলৈ লৈ গ'ল। ৰাক্ষসেও সিফালৰ পৰা আহি ঘোঁৰাৰ গৰাকিয়নীয়ে যিমান দাম ক'লে সিমান দামকে দি ঘোঁৰাই লেকামে লৈ গুচি গ'ল। বাঁৰীয়ে কত ক'লে লেকামডাল আইক দি ওভোতাই দিবলৈ, কিন্তু সি নিদি লৈ গুচি গ'ল। ৰাক্ষসে সেই নগৰৰ নদী এখনৰ কাষতে কোনো এটা ঘাটত ঘোঁৰাটো খাবলৈ মনতে ঠিক কৰিলে। তেতিয়া তৰ দুপৰীয়া। ঘোঁৰাটোৱে এবাৰ চল পাই ৰাক্ষসৰ হাতৰপৰা এৰাই পানীত পৰি মাছ এটা হ'ল। ৰাক্ষসে তাক শিহু এটা হৈ খেদি নিবলৈ ধৰিলে। সেই সময়ত ৰজাৰ জীয়েকে গা ধুবলৈ সেই নৈলৈকে আহক। ৰজাৰ জীয়েকে গা ধোওঁতে অলঙ্কাৰ পাতিবোৰ সোলোকাই এটা ঘাটিত থৈছিল। বাঁৰীৰ ল'ৰাই পটুকৰে মণি এটা হৈ সেই ৰজাৰ জীয়েকৰ অলঙ্কাৰৰ লগত মিহলি হৈ গ'ল। ৰজাৰ জীয়েকে গা ধুই উঠি সেই মণিটো দেখি সেইটো ক'ৰপৰা তালৈ আহিল, কি কথা, কি বতৰা ইত্যাদি ভাবি-চিন্তি ঠিক কৰিব নোৱাৰি, মণিটো ঘৰলৈ লৈ আহিল। ৰাক্ষসে এটা মানুহ হৈ ৰজাৰ আগত গোচৰ দিলেহি যে ৰজাৰ জীয়েকে তাৰ মণিটো ঘাটত পাই আনিছে আৰু এতিয়া তাক নিদিব কি বুলি? ৰজাই ৰাক্ষসক "বাৰু তোমাৰ মণিটো যদি ছোৱালীয়ে আনিছে, মই কলেই দিব, তাই সৰু ছোৱালী, সেইবোৰৰ ভু নাপায়, অলপ পৰ ৰ'বা" বুলি কৈ জীয়েকক মতাই আনি মণিটো দিবলৈ ক'লে। ৰজাৰ জীয়েকে বাপেকৰ কথা শুনি মণিটো মানুহটোৰ আগলৈ পেলাই দিলে। মণিটো মাটিত পৰিয়েই এটা সৰিয়হ হ'ল। সৰিয়হ খাবৰ নিমিত্তে মানুহ হৈ থকা ৰাক্ষসটো এটা কপৌ হ'ল। বাঁৰীৰ ল'ৰাই তৎক্ষণাৎ সৰিয়হ গুচি শেন এটা হৈ কপৌটোৰ বুকুখন ফালি পেলালে। তেতিয়া ৰাক্ষসে নিজ মূৰ্ত্তি ধৰি এটা ভয়ানক চিঞৰ মাৰি মৰি থাকিল। ৰজাই এইবোৰ চকুৰ আগতে সপোন যেন দেখি ভেবা লাগি ৰ'ল। আন আন মানুহেও তবধ লাগিল। তেতিয়া বাঁৰীৰ ল'ৰাই মানুহ হৈ সকলো কথা ৰজাক ভাঙি কলত, ৰজাই সন্তোষ পাই জীয়েকক তালৈ বিয়া দি তাক ৰহি-ৰজা পাতিলে। বাঁৰীৰ লৰাই মাককো তাৰ লগলৈ তুলি নি থাই-থৈ সুখেৰে থাকিল।

ষষ্ঠ সাধু.

ককা।—"সোণাই, আজি দেখোন তই সাধু শুনিবলৈ অহা নাই?"

নাতি।—"পঢ়াশালিৰ পাঠ পঢ়িবলৈ অলপমান বাকী আছে। আৰু দহ মিনিটমানৰ মূৰতে হৈ যাব।"

ককা।—"বাৰু শেষ কৰি আহ, লৰালৰি কৰিব নালাগে, ইয়াৰ ভিতৰতে মই তামোল খন খুলনাটোত ভালকৈ খুন্দি লওঁ।"

দহমিনিটমানৰ পিছত তাৰ পঢ়া শেষ কৰি নাতিয়েক ওচৰ চাপি আহিলত ককাকে আৰম্ভ কৰিলে,-

তিনিজন ডেকা পণ্ডিত

উজনি ফালৰ তিনিজন ডেকাই নবদ্বীপত পঢ়ি পণ্ডিত হৈ ঘৰলৈ উভতি আহিছিল। বাটে বাটে আহি থাকোতে তেওঁলোকে এদিন মহৰ খোজ এটা দেখা পালে। এজনে ক'লে "এইটো এজনী মাইকী মহৰ খোজ," আন এজনে ক'লে "মহজনী গাভিনী," তৃতীয়জনে মাত লগালে "মহজনীয়ে এই মাত্ৰ মতা পোৱালী এটা প্ৰসৱ কৰিছে।" তেওঁলোকৰ কথা সঁচা নে মিছা জানিবৰ নিমিত্তে তিনিওজনে মহৰ খোজে খোজে গৈ মহজনী পাই দেখিলে যে সকলো সঁচা।

এই মহজনী এজন ৰজাৰ। তিনি দিন মানৰ আগৰে পৰা মহজনী হেৰাইছিল। ৰজাই মহ বিচাৰিবৰ নিমিত্তে কেইটামান মানুহ পঠাই দিছিল। মানুহ কেইটাই বিচাৰি আহি হেৰোৱা মহজনী আঁতৰৰপৰা দেখি তাইৰ ওচৰ চাপিল, আৰু তিনিজন মানুহে মহজনী বেঢ়ি থকা দেখি মহে সৈতে তেওঁলোকক চোৰ বুলি ধৰি লৈ গ'ল। সিহঁতে মহজনী খুটিত বান্ধি তেওঁলোক তিনিওকো মহ-চোৰ বুলি ৰজাৰ আগত দিলেগৈ। ৰজাই সোধপোছ নোহোৱাকৈয়ে তেওঁলোকক বন্দীশালত থবলৈ আদেশ দিলে। বন্দীশালত থাকোঁতে তিনিওজনে এইদৰে কথা-বাৰ্ত্তা হবলৈ লাগিল :—প্ৰথমজনে ক'লে "হেৰ'া, ই নহয় সি হে।" দ্বিতীয়জনে "কিয়, সি হোৱা হ'লে তেনে কৰিলেহেঁতেন নহয় ?" তৃতীয়জনে মাত লগালে "তেনে সি কৰা নাই নো কি ?" বন্দীশালৰ ৰখীয়া বিলাকে এই কথা শুনি থাকি ৰজাক লগাই দিলেগৈ। ৰজাই তেওঁলোকক মতাই নি সুধিলে, "তোমালোকে বন্দীশালত থাকোঁতে 'ই নহয় সি হে', 'সি হোৱা হলে তেনে কৰিলেহেঁতেন নহয়,' 'তেনে কৰা নাই নো কি ?' বুলি কি কৈছিলাহঁক মোৰ আগত ভাঙি কব লাগে, নহলে তোমালোকৰ মূৰ কটা যাব।" ৰজাৰ এনেকুৱা কথা শুনি তেওঁবিলাকে ভাবিলে, আমি এনেও মৰিম তেনেও মৰিম, হেনজানি সকলো কথা ভাঙি কোৱাই যাওক। প্ৰথমজনে কবলৈ ধৰিলে "মহাৰাজ, মই কৈছিলোঁ 'ই নহয় সি হে', তাৰ অৰ্থ এই যে, এই দেশৰ ৰজাজন মানুহ নহয় গৰু হে।" দ্বিতীয়জনে ক'লে "মহাৰাজ, মই কৈছিলোঁ যোলৌ, 'সি হোৱা হ'লে তেনে কৰিলেহেঁতেন নহয় ?' অৰ্থাৎ গৰু হোৱা হলে ঘাঁহ খালেহেঁতেন।" তৃতীয়জনে ক'লে "মহাৰাজ, মই কৈছিলোঁ যে 'তেনে কৰা নাই নো কি ?' তাৰ অৰ্থ এই যে, ঘাঁহো খোৱা নাই নো কি ?" ইয়াকে কৈ তিনিওজন মনে মনে থাকিল। ৰজাই আকৌ সুধিলে, "তোমালোকে নো কি বাবে মোক গৰু পাতিছিলা তাৰ সজ উত্তৰ দিব পাৰিলে তোমালোকৰ প্ৰাণ ৰক্ষা পৰিব, নহলে তিনিও কটা যাবাহঁক।" প্ৰথমজনে কবলৈ ধৰিলে "মহাৰাজ, আমি তিনিওটি বামুণৰ ল'ৰা ; ভাটীৰ নবদ্বীপত কেবাবছৰো নানান সংস্কৃত শাস্ত্ৰ পঢ়ি পণ্ডিত হৈ আহিছোহঁক। বাটত আহি থাকোঁতে কালি ৰাতিপুৱা এটা মহৰ খোজ দেখি মই ক'লোঁ এইটো এজনী মাইকী মহৰ খোজ। (দ্বিতীয়জনলৈ আঙুলিয়াই) এওঁ ক'লে, মহজনী গাভিনী। (তৃতীয়-জনলৈ আঙুলিয়াই) এওঁ কলে মহজনীয়ে এইমাত্ৰ মতা পোৱালি এটা প্ৰসৱ কৰিছে। পাছে মহাৰাজ, আমাৰ বিদ্যা-বুদ্ধিৰ পৰিচয় লবৰ নিমিত্তে মহৰ খোজে খোজে তিনিও গৈ মহজনীয়ে অলপ আগতে এটি মহা পোৱালি জগোৱা দেখি আমাৰ কথা সঁচা হ'ল বুলি ভাবি আমি মনত ৰং পাই অলপ পৰ মহজনী আৰু পোৱালিটো চাই ৰৈ আছোঁ, তেনেতে মহাৰাজে মহজনী বিচাৰি পঠিওৱা মানুহ কেইটা তাতে ওলালগৈ আৰু মহজনীয়ে সৈতে আমাক মিছাকৈয়ে চোৰ বুলি ধৰি লৈ আহিল। মহাৰাজেও একো বিচাৰ নকৰাকৈ আমাক বন্দীশালত থোৱালে ; সেই কাৰণে আমি কৈছিলোহঁক যে, যি ৰজাই দোষ বিচাৰ নকৰাকৈ দণ্ড দিয়ে সেই ৰজা মানুহ নহয় গৰু হে।' তেতিয়া ৰজাই লাজ পাই ক'লে 'হয়, অৱশ্যে এইটো মোৰ অবিচাৰ হৈছিল। মই এতিয়াৰপৰা সোধপোছ নোহোৱাকৈ কেতিয়াও দণ্ড নিদিওঁ।" এই বুলি ৰজাই তেওঁলোক তিনিওকো নিজ নিজ ঘৰলৈ বিদায় দিলে, আৰু ঘৰৰপৰা উভতি আহি তেওঁৰ সভাত বৃত্তি-বিধান লৈ থাকিবলৈ মাতি পঠালে।

সপ্তম সাধু

নাতি।—"ককাদেউতা, কালিৰ সাধুটো যদিও চুটি, কিন্তু ৰচিয়া। আজিও তেনেকুৱা এটাকে কোৱা।"

ককা।—"শুন।"

মেৰোপচুৰণ কথা

এজন ৰজা আছিল। এদিন তেওঁ পাত্ৰ-মন্ত্ৰী আৰু সভাসদসকলক ক'লে যে, "সকলো মানুহে দিনত বন কৰে, ৰাতি হ'লে শুই থাকে ; আমিও-চোন দিনকে ৰাতি, ৰাতিকে দিন কৰি সওঁক-আমি ৰাতি হলে দিন বুলি কাম-বন কৰিম, দিনত

ৰাতি বুলি শুই থাকিমহঁক।" পাত্ৰ-মন্ত্ৰীসকলে ৰজাৰ কথাত হয় দিলে। পাছদিনা ৰজাই নগৰত ঢোল পিটি শুনাই দিলে যে আজিৰপৰা ৰাতিক দিন আৰু দিনক ৰাতি কৰা হ'ল। যি এই নিয়ম নেপালিব তাৰ শাস্তি হ'ব। ৰজাৰ দণ্ডৰ ভয়ত সকলো সেইদৰে চলিবলৈ ধৰিলে। ইয়াৰ পিছত সেই ৰাজ্যৰ মানুহে ৰাতি কাম কৰে, দূৰলৈ যায়, গাৰে থাকে, কিন্তু দিন হ'লে সোনকালে খাই বৈ শুই থাকে। ৰজাৰ পালী-পহৰীয়াই দিনত ৰাতি বুলি পহৰা দিয়ে।

এদিন সেই দেশলৈ অন্য দেশৰপৰা কেইটামান তাঁতী আহিছিল। সিহঁতে সেই দেশৰ নিয়ম নুবুজি দুপৰীয়া আলিয়ে আলিয়ে ফুৰি ফুৰিছিল আৰু পিয়াহ লগাত ৰজাৰ পুখুৰীত নামি পানী খাবলৈ গৈছিল। পুখুৰী ৰখীয়াইঁতে সিহঁতক "দুপৰ ৰাতি কিয় আহিছ?" বুলি বন্দী কৰি থৈ দিলে। সিহঁতে ক'লে, "কিয়, আমি দিনতহে আহিছোঁ; ৰাতি কেতিয়া আহিলোঁ?" তেতিয়া ৰখীয়াইঁতে কলে, "অ' তহঁত এই দেশৰ মানুহ নহয়; সেই কাৰণে নেজানহঁক। আমাৰ ৰজাই দিনক ৰাতি, ৰাতিক দিন পাতিছে।" তাঁতী কেইটাই ক'লে, "ককাইহঁত, আমি সেইবোৰ নেজানো; আমাক এইবাৰলৈ এৰি দেহঁক।" সিহঁতে ক'লে, "নহয়, আমি তহঁতক এৰি দিব নোৱাৰোহঁক; কাইলৈ ৰজাই সুধি-পুছি যি কৰে কৰিব।" সেইদিনা তাঁতী কেইটাই বন্দীশালতে থাকিল। ৰাতি হ'লত ৰখীয়াই নি সিহঁতক ৰজাক গতাই দিলে; ৰজাই সিহঁতক প্ৰাণদণ্ড দিবলৈ হুকুম দিলে। সিহঁতে সাৰিবলৈ এটা উপায় চিন্তি দুখ মনেৰে ৰজাৰ আগত এইদৰে ক'লে "মহাৰাজ, আমাৰ গাত এটি বিদ্যা হে গ'ল, কোনেও শিকিবলৈ নেপালে।" ৰজাই সুধিলে, "কি বিদ্যা কইঁকচোন বাৰু?" সিহঁতে ক'লে, "মহাৰাজ, আমি দেৱাঙ্গ-ভূষণ বস্ত্ৰ বব জানো।" ৰজাই সুধিলে "দেৱাঙ্গ-ভূষণ বস্ত্ৰনো কেনেকুৱা?" সিহঁতে ক'লে "দেৱাঙ্গ-ভূষণ অৰ্থাৎ দেৱতাৰ গাৰ কাপোৰ।" ৰজাই ভাবিলে, বাৰু ইহঁতৰ প্ৰাণ ৰক্ষা কৰি সেই বস্ত্ৰ এজোৰকে বোৱাই লওঁচোন। ইয়াকে ভাবি ৰজাই ক'লে, "তহঁতে যদি মোক এজোৰ দেৱাঙ্গভূষণ বস্ত্ৰ বৈ দিব পাৰ তেন্তে তহঁতৰ প্ৰাণ ৰক্ষা কৰিম।" সিহঁতেও পাৰিমহঁক বুলি ক'লে। সিহঁতে কাপোৰ ববলৈ বুলি ৰজাৰপৰা দহ সেৰ সোণ নিলে আৰু মিছামিছিকৈ এখন তাঁত শাল পাতি সূতা নাইকিয়া শাল খপৰ-খপৰকৈ ববলৈ ধৰিলে। ভাটিকালৰ কেইজনমান তাঁতীয়ে ৰজালৈ এযোৰ দেৱাঙ্গভূষণ বস্ত্ৰ বৈছে, এই খবৰ নগৰৰ সকলো মানুহৰ মাজত জনাজাত হ'ল। দেৱাঙ্গভূষণ বস্ত্ৰনো কেনেকুৱা বুলি অনেক মানুহ তাঁত চাবলৈ যায়, কিন্তু তাঁতী-হঁতে কয় যে যি মানুহ জহৰা সি এই দিব্য বস্ত্ৰ নেদেখে, যি প্ৰকৃততে বাপেকৰ সিহে দেখে। সেই কাৰণে, তাঁত চাবলৈ যোৱা মানুহে "আমি দেখিছোঁ" বুলি আন মানুহৰ আগত কয়হি; কাৰণ যেয়ে নাই দেখা বুলিব সেয়ে জহৰা হব। সাত দিনমানৰ মূৰত তাঁতীহঁতে দহ সোণৰ সূতাই নাটিলে বুলি আৰু দহ সেৰ সোণ ৰাজ-ভঁৰালৰপৰা লৈ গ'লহি, আৰু মিছামিছকৈ এটা যঁতৰ লৈ শূন্যতে হাত চলাই সূতা কটা হ'ল বুলি মানুহক দেখুৱাই খপং খপং কৰি তাঁত ববলৈ ধৰিলে। কাপোৰ কিমান বোৱা হৈছে এই কথা জানিবৰ নিমিত্তে ৰজাই এদিন তেওঁৰ তামুলী আৰু বৰকটকীক তাঁতশাললৈ পঠালে। তাঁতীহঁতে সেই দিনা তেওঁলোকক দেখুৱাই ধুনাবুনিকৈ তাঁত ববলৈ ধৰিলে; কিন্তু এজনেও কাপোৰ দেখা নাপালে। তামুলীয়ে ভাবিলে 'মই তেন্তে জহৰা হবলা, নহলে কিয় কাপোৰ নেদেখিম?" কটকীযে মনে মনে ভাবিলে 'হায়। মইও জহৰাহে, নহলে কাপোৰ দেখিলোহেঁতেন।" এইদৰে দুয়ো ভাবি, লাজৰ ভয়ত আচল কথা প্ৰকাশ নকৰি "কাপোৰ দেখিছোহঁক, ভাল হৈছে" বুলি ঘৰলৈ গ'ল আৰু তাতীহঁতে উত্তম কাপোৰ বৈছে বুলি ৰজাক জনালেগৈ। তাৰ পাছদিনা তাঁতীহঁতে ফুল দিবলৈ বুলি এসেৰ হীৰা আৰু পাঁচ সেৰ মুকুতা ৰাজ-ভঁৰালৰপৰা ৰজাক জনাই লৈ গ'লহি। আকৌ মিছামিছিকৈ সিহঁতে মানুহক দেখুৱাই কাঠি বাছি ফুল দিবলৈ লাগি গ'ল। তিনদিনমান ফুল দিয়াৰ ভাও দেখুৱাৰ পাছত, কাপোৰ ওলাল বুলি সিহঁতে খবৰ দিলে। এটি ভাল দিন চোৱাই ৰজাই দেৱাঙ্গভূষণ বস্ত্ৰ পিন্ধিবলৈ সাজু হ'ল। কালিলৈ ৰজাৰ দেৱাঙ্গভূষণ পিন্ধাৰ দিন; সেই নিমিত্তে আজিয়েই ঢোল কোবাই শুনাই দিয়া হ'ল যে কাইলৈ ৰজাই দেৱাঙ্গ-ভূষণ বস্ত্ৰ পিন্ধিব; যাৰ ইচ্ছা আছে চাবলৈ যাব পাৰে। ৰজাই দেৱাঙ্গভূষণ বস্ত্ৰ পিন্ধিব শুনি নগৰৰ সকলো প্ৰজা ৰজাঘৰলৈ আহিল, আৰু তাঁতী কেইটাইও এটা জপা, তাত দেৱাঙ্গভূষণ বস্ত্ৰ আছে বুলি লৈ আহি সেই সভাত উপস্থিত হ'লহি। নগৰৰ মানুহত বাজেও গাঁৱৰপৰা বুঢ়া, তিকতা, খোৰা, কোঙা, ল'ৰা, ছোৱালী অনেক আহিবলৈ ধৰিলে। নগৰ মানুহেৰে দলদোপ-হেন্দোল-দোপ্ লাগি পৰিল। কাপোৰ পিন্ধোৱাৰ সময় আহিলত তাঁতীহঁতৰ ভিতৰৰ মুখিয়ালটোৱে জপা মেলি মিছামিছিকৈয়ে কাপোৰ এখন উলিওৱাৰ ভাও দেখুৱাই ক'লে "আমি আজি এই দেৱাঙ্গ-ভূষণ বস্ত্ৰ মহাৰাজক পিন্ধাম, যিসকল লোক প্ৰকৃত বাপেকৰ সন্তান তেওঁলোকে এই বস্ত্ৰ দেখিব, যিসকল

লোক জহৰা তেওঁবিলাকে নেদেখে।" এই বুলি সি মিছামিছিকৈ নতুন চুৰিয়া পিন্ধোৱাৰ ভাও দেখুৱালে, আৰু ৰজাৰ গাৰ কাপোৰ খহাই দি নতুন কাপোৰ গাত মেৰাই দিয়াৰ দৰে দিলে। তাৰ পাছত সি ক'লে, "ৰাইজসকল, আপোনালোকে ৰজাক এতিয়া বস্ত্ৰ পিন্ধালত কেনে দেখিছে?" সকলোৱে দেখিলে, ৰজাক নাঙঠ হে কৰিছে; কিন্তু আচল কথা ভাঙি ক'লে জহৰা হব লাগে বুলি কোনেও সেই কথা কবলৈ সাহ নকৰিলে। সেইদেখি সকলোৱে খব সুন্দৰ হৈছে বুলি কবলৈ ধৰিলে। ইকালে ৰজাই চাই দেখে যে তেওঁ নাঙঠ হে হৈছে, তেওঁৰ গাত একো কাপোৰ নাই। কিন্তু কথা ভাঙি ক'লে ৰজা নিজেই জহৰা হব লাগিব বুলি ৰজাই একো নোকোৱাকৈ মনে মনে থাকিল। এনেতে এটা সাহিয়াল মানুহে আগবাঢ়ি ক'লে, "মহাৰাজ, কাটক বা মাৰক, বৰ্ণীয়ে আপোনাক নাঙঠ কৰা যেন দেখিছোঁ।" তেতিয়া সাহ পাই ইটোৱে বোলে "হয়, আমিও নাঙঠ কৰা যেন হে দেখিছোঁ।" সিটোৱে বোলে, "আমিও তেনে হে দেখিছোঁ।" এইদৰে লাহে লাহে সকলো দৰ্শকেই ৰজাক নাঙঠ হে কৰিছে বুলি কবলৈ ধৰিলে। ৰজাই বৰ লাজ পালে, আৰু তেতিয়াই সেই তাঁতী কেইটাক কাটিবলৈ কটোৱালক আদেশ দিলে। তাঁতী কেইটাই প্ৰাণদণ্ডৰ হুকুম শুনি ৰজাৰ আগত আঁঠু লৈ ক'লে—"মহাৰাজ, আমাক তো কাটিবলৈ হুকুম দিলেই, কাটক; কিন্তু তাৰ আগেয়ে আমি এটি কথা মহাৰাজৰ আগত কওঁ। মহাৰাজে দিনক ৰাতি আৰু ৰাতিক দিন পাতিছে। আমি বিদেশী মানুহ, পৃথিৱী গোটেইখনত দিন ৰাতি যাক বোলে তাকে বুলি দিনত মহাৰাজৰ আলিত ফুৰিছিলোঁ, আৰু পুখুৰীৰ পানী খাইছিলোঁ; মহাৰাজৰ এনে অদ্ভুত হুকুমৰ কথা নাজানিছিলোঁ; তথাপি মহাৰাজে আমাক কাটিবলৈ হুকুম দিছিল। মহাৰাজে দিনক ৰাতি বুলি ওলোটা শাস্ত্ৰ কৰিব পাৰে, নাঙঠটোক কাপোৰ পিন্ধা বুলিহে চলাব নোৱাৰে? আমি ভাবিছিলোঁ মহাৰাজৰ নিচিনা ক্ষমতাশালী ৰজাই ঠিক ইয়াকো চলাব পাৰিব। এতিয়া হে বুজিলোঁ, মহাৰাজৰ সেইটো ক্ষমতা নাই।" ৰজাই তাঁতীহঁতৰ কথা শুনি ঠিক বুলি বুজি সিহঁতক এৰি দিলে আৰু সেই দিনাৰপৰা ৰাতিক দিন কৰা আৰু দিনক ৰাতি কৰা হুকুম বন্ধ কৰিলে। তাঁতী কেইটাই সোণ, ৰূপ, হীৰা, মুকুতাবোৰ লৈ সিহঁতৰ দেশলৈ উভতি গ'ল।

অষ্টম সাধু

ককা।—"সোনাই অ' লৰি আহ। আজি ভাল সাধু এটা মনত পৰিছে কওঁ।"

ককাদেউতাকে মতা শুনি নাতিয়েক লৰি আহি ওচৰত বহিলত, তেওঁ কবলৈ ধৰিলে,—

কণ আৰু মন

কোনো এখন দেশত কণ আৰু মন নামে দুটা ভাই-ককাই আছিল। কণ বয়সত ডাঙৰ আৰু টেঙৰ। মন বয়সত সৰু আৰু গিচেই হোজা আছিল। এদিন কণে মনক ক'লে, "বোপা, আমাৰ যে বাপতীকলীয়া বস্তুবিলাক আছে সেইবোৰ আমি দুইটাই দুই সময়ত চলিয়ত কৰোঁ আহাঁ।" তেতিয়া মনে লাহেকৈ উত্তৰ দিলে,—"ককাই, তুমি কোৱা কথাটো সঁচা, আমাৰ নো বস্তুবিলাক ভিতৰত সোমাই থাকি কি হব? আমি চলিয়তকে কৰোঁহঁক আহাঁ।" কণে ক'লে, "আমাৰ থকা ফটা-কঁথাখন আৰকালি ৰাতি মই লৈ শুম, দিনত তুমি লৈ শুবা।" মনে উত্তৰ দিলে, "বাৰু।" সেই দিনাৰপৰা ফটা-কঁথাখন দিনত গাত লৈ শোৱে হয়, কিন্তু জহৰ প্ৰতাপত সি শুব নোৱাৰি গাৰপৰা খহাই পেলাই দিব লগাত পৰে। এইদৰে মনে ফটা-কঁথাখন কিছুমান দিন লৈ আমনি লাগি দিনত ৰ'দত শুকাই জোকাৰি ধূলি-মাকতি গুচাই দাঙত তুলি থৈ দিয়ে, নিশা কণে গাত লৈ সুখেৰে শুই থাকে। মন জাৰত শুব নোৱাৰি নিশা বহি থাকে। ইয়াৰ কিছুমান দিনৰ পিছত আৰু এদিন কণে মনক ক'লে, "বোপা, আমাৰ বাৰীৰ বিমানবোৰ গুটিলগা গছ-গছনি আছে তাৰ গুৰি ভাগৰ কামৰ ভাৰ তুমি লোৱাঁ আৰু আগ ভাগৰ ভাৰ মই লওঁ।" তেতিয়া মনে ক'লে, "বাৰু, লোৱাঁ।" এই বুলি মনে সেই দিনাৰপৰা গছৰ তলবিলাক চিকুণাই সাৰ, পানী আদি যোগায়; সেই নিমিত্তে অতি সোনকালে গছৰ ফলবোৰ ধৰে, কণে ফলবোৰ নি মহা আনন্দেৰে খাই পেলায়। এইদৰে কিছুমান দিনৰ পাছত কণে মনক আকৌ এদিন কলে, "বোপা, আমাৰ যে সেই কলী গৰুজনী আছে তাইৰ আগকাল তুমি লোৱাঁ, পাছকাল মই লওঁ।" তেতিয়া মনে উত্তৰ দিলে "ককাই, মই তোমাৰ কথা কেতিয়াও দলিয়াই নেপেলাওঁ, এতেকে তোমাৰ যি ইচ্ছা তাকে কৰাঁ।" সেই দিনাৰপৰা মনে গৰুজনী ঘূৰাই-ঘূৰাই ভালকে ৰাঙি-চুঙি খৰ, কণে গাখীৰখিনি দোৱাই নি খাই থাৰ। কিছুমান দিনৰ পিছত গৰুজনী মুঠীয়ে মনৰ দুখ দেখি আৰু

সুধিলে, "তুমি কেলৈ ইমান দুখ সহিছা ?" সি উত্তৰ দিলে, "বুঢ়ী আই, মোৰ ককায়ে মোক বিহকে কৰিবলৈ কয় তাকেই মই কৰিব লাগিব ; কাৰণ তেওঁ মোতকৈ ডাঙৰ। এতেকে তেওঁ কোৱা মতেই মই কৰি আছোঁ।" তেতিয়া বুঢ়ীয়ে ক'লে, "বোপা, তুমি এটি বন কৰিবা,—সেই কটা-কঁথাখন দিনত তিয়াই থ'বা ; তাকে কৰিলে সি নিশা তিতা কটা-কঁথা লব নোৱাৰি সিও জাৰত দুখ পাব। যদি সি সেই কাপোৰখন কেলৈ তিয়ালি বুলি সোধে তেনেহলে তুমি এই বুলি কবা যে, "কটা-কঁথাখন তুমি দিনত মোক দিছা, এতেকে মই দিনত বিহকে কৰোঁ। তাকেই কৰিম, তোমাৰ তাত কি হানি ?" এই বুলি ক'লেই সি নিৰুপায় হৈ মনে মনে থাকিব। আৰু যেতিয়া কণে ফল পাৰিবৰ নিমিত্তে গছত উঠিব, তুমি কুঠাৰখন লৈ 'মোৰ গুৰিডোখৰ মই কাটি পেলাওঁ' বুলি কাটিবলৈ যাবা। তেতিয়া সি ভয় খাই কাটিবলৈ হাক দিব। তুমি নেকাটি উভতি গুচি আহিবা। যদি সি কেলৈ এনেকুৱা কৰিছিলি বুলি সোধে, তুমি ক'বা 'গছৰ গুৰিডোখৰ মোক দিছাই, এতেকে গুৰিডোখৰ মই বিহকে কৰোঁ। তাকেই কৰিম, তাত তোমাৰ কি ক্ষতি ?' আৰু গৰুজনী যেতিয়া সি খীৰাবলৈ ধৰিব, তুমি এচাৰি এডাল লৈ তাইৰ কাণে-মূৰে কোব ধৰিবা। সি খীৰাবলৈ আমনি পাই তেনেকুৱা কৰিবলৈ হাক দিব। যদি সি কেলেই তেনেকুৱা কৰিছিলি বুলি সোধে, তুমি ক'বা যে 'মোক মুখৰ ফাল দিছাই ; এতেকে মই মুখৰ ফালে বিহকে কৰোঁ। তাকেই কৰিম, তোমাৰ তাত কি হানি ?' এই বুলি ক'লেই সি সকলো বুজি তোমাৰে সৈতে আগৰ দৰে চলিব।"

ইয়াৰ পাছত মনে বুঢ়ীৰ কথামতে আচৰিবলৈ ধৰাত, কণে মনক ন্যায়ৰূপে বস্তু আৰু কামৰ ভাগ দিবলৈ ধৰিলে। ইয়াৰ পিছত দুয়ো মিলা-প্ৰীতিৰে একেলগে থাকিল।

নৱম সাধু

"আজি বত্ৰিশ লক্ষণীয়া দবা কন্যাৰ সাধু কম বুলি ককাকে নাতিয়েকক ওচৰলৈ চপাই আনি কবলৈ ধৰিলে,—

বত্ৰিশ লক্ষণীয়া দবা-কন্যা

এজন ৰজাৰ এটি বত্ৰিশ লক্ষণীয়া ল'ৰা হৈছিল। ল'ৰাটি ক্ৰমে ডাঙৰ দীঘল হৈ ডেকা হ'লত, ৰজাই ল'ৰালৈ ছোৱালী বিচাৰিবলৈ মন মেলিলে ; কিন্তু ৰজাৰ ল'ৰাই ক'লে যে তেওঁ তেওঁৰ নিচিনা বত্ৰিশ লক্ষণেৰে এজনী ছোৱালী নেপালে বিয়া নকৰায়, আৰু সেই ছোৱালী তেওঁ নিজে চাই লব। এই কথা শুনি ৰজাই পুতেকক মাতি নি কলে, "বোপা, তুমি বিবাহৰ কন্যা নিজে চাই লবা বুলি শুনি মই বৰ সন্তোষ পাইছোঁ। এই বুঢ়া মানুহজন তোমাৰ লগত দিলোঁ ; ঘোঁৰাশালৰ পৰা এটা সুন্দৰ ঘোঁৰা বাছি নি তুমি বিদেশলৈ যাত্ৰা কৰাঁ।" ৰজাৰ এই আদেশ পাই কোঁৱৰে ক'লে, "দেউতা, আপোনাৰ আদেশ শিৰোধাৰ্য্য কৰিলোঁ ; কিন্তু মই বিদেশত কিমান দিন কত ঠাইত ফুৰিব লাগিব তাৰ কি ঠিক ? এই কাৰণে মোৰ লগত এটা ডেকা মানুহ দিয়ক, বুঢ়া মানুহৰ পৰা মোৰ সুবিধা নহয়।"

ৰজাই এটা ডেকা মানুহক যুৱৰাজৰ লগুৱা কৰি দিলে। কোঁৱৰেও ঘোঁৰাশালৰ পৰা এটা সুন্দৰ তাজী ঘোঁৰা বাছি লৈ আনন্দেৰে বিদেশলৈ যাত্ৰা কৰিলে। কোঁৱৰ এখন সুন্দৰ ৰাজ্যত উপস্থিত হ'লগৈ। সেই ৰাজ্যৰ ৰজাৰ এজনী বত্ৰিশ লক্ষণীয়া সুন্দৰী ছোৱালী আছিল। কন্যাই তেওঁৰ সখী-সকলেৰে সৈতে ওচৰৰ এখন সৰু নদীত স্নান কৰিবলৈ যাওঁতে কোঁৱৰে দেখা পালে, আৰু তেওঁৰ মনৰ জোখাৰে কন্যা দেখি পৰম আনন্দ লভিলে। কোঁৱৰে যদিও দূৰৈৰপৰা ৰাজ-কন্যাক দেখিছিল তথাপি ৰাজ-কন্যা আৰু তেওঁৰ সখীসকলে কোঁৱৰক দেখা নাছিল। তেওঁলোকে হাঁহি মাতি নানান ধেমালি কৰি নদীলৈ গৈছিল। নদীলৈ যোৱা বাটৰ দুয়ো শাৰীয়ে মণিৰাজ, যুতি, তগৰ, বকুল, থলপদুম, গুটিমালী আৰু শেৱালি প্ৰভৃতি ফুল ৰমক জমক কৰি ফুলি আছিল। সেই সুন্দৰ ফুলনিৰ মাজত ৰাজ-কন্যা আৰু তেওঁৰ সখীসকলক কোঁৱৰে দেৱকন্যাৰ দৰে দেখি বৰ বিমোহিত হৈছিল। সেই ফুলনিৰ এটা মণিৰাজ ফুলৰ পাতত কোঁৱৰে তেওঁৰ সকলো বৃত্তান্ত লিখি ৰাজকন্যাই দেখাকৈ থৈ আহিল। তাৰ পাছত কোঁৱৰে কি উপায়েৰে কন্যা লাভ কৰিব এই চিন্তাত লাগি গ'ল, আৰু অৱশেষত মালিনীৰ ঘৰত আশ্ৰয় লৈ কাৰ্য্য সিদ্ধিৰ উপায় চিন্তিবলৈ ধৰিলে।

ইকালে ৰাজকন্যাই সখীসকলেৰে সৈতে গা ধুই উভতি আহোঁতে কোঁৱৰে লিখি থৈ যোৱা ফুলৰ পাতত তেওঁৰ চকু পৰিল। তাত লিখা সকলোখিনি তেওঁ পঢ়ি চাই কোঁৱৰৰ ৰূপ, গুণ আদি আৰু কোঁৱৰ মালিনীৰ ঘৰত থাকিব বুলি জানিব পাৰিলে। ৰাজকন্যাই সেই ফুলৰ পাত ছিঙি ঘৰলৈ লৈ আহিল। ঘৰত তেওঁ কোঁৱৰৰ নামে এখন পত্ৰ লিখি এটা টোপাত কেইডালমান ফুলৰ অলোকেৰে সৈতে ভৰাই মালিনীৰ হাতত কোঁৱৰলৈ দি পঠিয়ালে। কোঁৱৰেও

চিঠি পঢ়ি চালে। তাত লিখা আছিল যে, দুদিনৰ পাছত ৰাজকন্যাৰ স্বয়ম্বৰ হব ; সেই স্বয়ম্বৰৰ দিনা কোৱঁৰে কন্যা অহা দেখা পালেই সোঁহাত আগবঢ়াই দিব আৰু কন্যাইও তেওঁৰ মূৰতে মালা দিব। কোৱঁৰে চিঠিখন পঢ়ি চাই গাৰুৰ তলত থলে। ৰাতি কোৱঁৰৰ টোপনি আহিলত লগুৱাটোৱে চিঠিখন উলিয়াই চাই আকৌ আগৰ দৰেই গাৰুৰ তলতে সুমাই থলে ; আৰু সি মনে মনে কোৱঁৰক ঠগি বত্রিশ লক্ষণীয়া কন্যাক পাবলৈ ফন্দি পাতিবলৈ ধৰিলে।

ৰাজকন্যাৰ স্বয়ম্বৰৰ দিনা লগুৱাটোৱে এটা বুধ সাজি মোহনীভাং আনি যোগা কৰিলে। কোৱঁৰৰ বাটিত সি ভাং সৰহকৈ দি নিজে নাম-মাত্র ললে। যোগা-ভাং খাই কোৱঁৰ অচেতন হৈ পৰি থাকিল। সি কোৱঁৰৰ সাজ পিন্ধি ঘোৰাত উঠি স্বয়ম্বৰৰ ঠাই পালেগৈ। কন্যা সমাজলৈ আহিবৰ পৰ হ'লত সি সোঁহাত আগবঢ়াই দিলে আৰু কন্যায়ো কোঁৱৰ বুলি তাৰে মূৰত মালা দিলে। লগুৱাটোৱে তেতিয়াই কন্যাৰ সৈতে কোৱঁৰৰ ঘোৰাত উঠি ঘোৰা চেকুৰাই গুচি গ'ল। কিছুমান বাট গৈ কন্যাই তাৰ গাৰ দুৰ্গন্ধ পালে আৰু মুখলৈ চাই সি ৰাজকোৱঁৰ নহয় বুলি জানিব পাৰিলে। তাৰ পাছত কন্যাই ভাবি চিন্তি তাক ক'লে, "মোৰ বৰ পিয়াহ লাগিছে ; যেনেতেনে মতে অলপ পানী আনি দিয়াঁ।" সি কন্যাৰ সঁচাসঁচিকৈয়ে পিয়াহ লাগিছে বুলি ভাবি, কন্যাক ঘোৰাৰ ওপৰতে ৰাখি, ওচৰৰ এখন নৈৰপৰা পানী আনিবলৈ গ'ল। ইফালে কন্যাই মুনিহৰ দৰে সাজ পিন্ধি ঘোৰা চেকুৰাই দিলে। সেই দিনা কন্যা গৈ এখন নতুন ৰাজ্যত ওলালগৈ ; আৰু সেই ৰাজ্যত তেওঁৰ নাম বাহুবল বুলি চিনাকি দিলে। সেই ৰাজ্যত এটা বৰ ভয়ানক ৰাক্ষস আছিল। সেই ৰাক্ষসে ৰাজ্যত বহুত উপদ্রৱ কৰি মানুহৰ সুখ-শান্তি নাইকিয়া কৰিছিল ; ৰাজ্যৰ মানুহবিলাকে বাহুবলক সেই ৰাক্ষস মাৰিব পাৰিব নে নোৱাৰে এই কথা সোধাত তেওঁ অনায়াসে পাৰিব বুলি ক'লে। ৰাইজে এই কথা ৰজাত জনালেগৈ। ৰজাই আনন্দ পাই ৰাক্ষস মাৰিব পাৰিলে বাহুবলক তেওঁৰ নিজৰ কন্যা আৰু অৰ্দ্ধৰাজ্য দিব বুলি প্ৰতিজ্ঞা কৰিলে। বাহুবলে এডাল ডাঙৰ শূল গঢ়াবলৈ ৰজাক ক'লে। ৰজাই দুদিনৰ ভিতৰতে শূলডাল গঢ়োৱাই দিলে। বাহুবলে মৰণলৈ ভয় এৰি সেই শূল লৈ ভৰ দুপৰৰ সময়ত ৰাক্ষস মাৰিবলৈ গ'ল ; কাৰণ ৰাক্ষসে ৰাতি মানুহ গৰু আদি খাই দুপৰীয়া ধোৰাং-জুৰি এজোপা ডাঙৰ বৰ-গছৰ তলত শুই থাকে। বাহুবলে দেখিলে যে ৰাক্ষসৰ বৰ টোপনি। হাতত-সাৱে, ভৰিত-সাৱে লাহে লাহে তেওঁ ওচৰ চাপি গৈ ৰাক্ষসৰ মেল খাই থকা মুখত শূলডাল ঠাহি ভৰাই দিলে। ৰাক্ষসে ডেডাউৰি মাৰি তৎক্ষণাৎ মৰি থাকিল। ৰাক্ষসৰ ডেডাউৰি শুনি বাহুবলক খালে বুলি সকলোৱে অনুমান কৰিছিল ; কিন্তু যেতিয়া ৰাক্ষস মাৰি তেওঁ ওলালহি তেতিয়া সকলোৱে দেখি তেওঁক নানান প্ৰশংসা কৰিবলৈ ধৰিলে। ৰজাই তেওঁৰ প্ৰতিজ্ঞামতে বাহুবলক কন্যা দান কৰিবলৈ ধৰিলত, বাহুবলে কিছুদিনৰ পাছত হে বিয়া কৰাব বুলি ক'লে আৰু ৰজাৰ পদূলিতে এতিয়া এটা ঘৰ সজাই দিয়াবলৈ মাথোন ৰজাক খাটিলে। ৰজাই আনন্দেৰে বাহুবলক পদূলিতে এটা সুন্দৰ ঘৰ সজাই দিয়ালে। বাহুবলে সেই ঘৰতে ৰহি দিনে-ৰাতিয়ে অহা-যোৱা কৰা মানুহ চাবলৈ ধৰিলে।

লগুৱাটোৱে কন্যাক ঘোৰাত তুলি লৈ যোৱাৰ পাছত, সন্ধ্যা সময়ত ৰাজকোঁৱৰৰ গাত তত আহিল, ভাঙৰ ৰাগিযে এৰিলে। তেওঁ শোৱাপাটীৰ পৰা উঠি, দুষ্ট লগুৱাটোৱে তেওঁক ফাঁকি দিলে বুলি জানিব পাৰিলে। পিছদিনা ৰাতিপুৱাই তেওঁ সেই ঠাইৰ পৰা গুচি গ'ল। কোৱঁৰ কন্যাৰ বেজাৰত বলিয়াৰ দৰে হ'ল। বলিয়ালি কৰি এমাহ ফুৰি ফুৰি কোঁৱৰ সেই কন্যা থকা ৰাজ্যতে ওলালগৈ। কন্যাই কোঁৱৰক চিনি পাই মাতি নি তেওঁৰ বিষয়ে অচিনাকিভাৱে সকলো কথা সুধি ললে। তাৰ পাছত তিৰোতাৰ সাজ পিন্ধি তেওঁ যেতিয়া কোৱঁৰৰ ওচৰ চাপিল তেতিয়াহে কোৱঁৰে কন্যাক চিনি পাই অতি আনন্দ পালে।

ইপিনে লগুৱাটোৱে পানী আনি কন্যাক নাপাই সিও কোৱঁৰৰ দৰে বলিয়া হ'ল। বলিয়ালি কৰি গৈ থাকোঁতে থাকোঁতে এদিন সি ভটংকৰে কন্যা থকা ঠাইতে ওলালগৈ। কন্যাই তাক চিনি পাই মতাই সকলো কথা সুধিলে। ছদ্ম কৰি থকা কন্যাক সি চিনি নাপাই ক'লে, "মই এইবাৰ তাইক পালে ওভোতাই ছাল বখলিয়াই তাত লোণ-খাৰ সানিম।" তাৰ পাছত কন্যাই নিজৰ সাজ পিন্ধিলত সি কন্যাক চিনিব পাৰি আচৰিত মানিলে। তেতিয়া কন্যাৰ আদেশমতে ৰজাৰ মানুহে তাক ধৰি তাৰ ওভোতাই ছাল বখলিয়াই লোণ-খাৰ সানি শাস্তি দিলে। সি যন্ত্ৰণা ভোগ কৰি মৰি থাকিল।

অৱশেষত কন্যাই নিজৰূপে সকলোৰে আগত দেখা দিলে। ৰাজ্যৰ ৰজা প্ৰজা সকলোৱে ঘটনাটো দেখি শুনি আচৰিত মানিলে। বত্রিশ লক্ষণীয়া ৰাজকন্যাৰ আদেশ অনুসাৰে সেই দেশৰ ৰজাই ৰাজ-কন্যাক কোঁৱৰলৈকে বিয়া দিলে আৰু অৰ্দ্ধ ৰাজ্যও এৰি দিলে। এইদৰে দুজনী সুন্দৰী কন্যা আৰু অৰ্দ্ধৰাজ্য লাভ কৰি ৰাজকোঁৱৰ স্বদেশলৈ উভতি আহিল। ৰজাইও পুত্ৰেকৰ সৌভাগ্য দেখি আনন্দ মনেৰে কাল কটাবলৈ ধৰিলে।

দশম সাধু

আজি নাতিয়েকে ককাকৰ পিঠিত উলৰি পৰি ককাকক মাতিছে হে মাতিছে, ককাকে নামাতে। ককাকৰ খং।

নাতি।—"ককাদেউতা, মোক নামাতা নো কিয়? মইনো কি অগৰ লগালো?"

ককা।—"বৰ অগৰ লগাইছ; সেইদেখি নামাতো।"

নাতি।—"কি অগৰ লগালো কোৱাচোন? মোৰ দেখোন মনত নপৰে।"

ককা।—"আজি গধূলি তই দেউতাৰৰ আগত মিছা কথা কৈছিলি কিয়?

নাতি।—"কি মিছা কথা?

ককা।—"দেউতাৰে যেতিয়া সুধিছিল, তই আজি দুপৰীয়া বৰষুণ জাকত বাহিৰলৈ ওলাই উমলি তিতিছিলি নে নাই, তই কলি 'নাই ওলোৱা, নাই তিতা।' তোৰ মাৰে দেখোন মোক কৈছে, বোলে তই তুলাপাতৰ নাও সাজি বৰষুণৰ ডোঙা বন্ধা পানীত উটাই দি, পানীত খেদ্‌খেদাই আছিলি?"

নাতি।—"দেউতাই শুনিলে মাৰিব বুলি ভয়ত তেনেকৈ কৈছিলো; আৰু নকওঁ।"

ককা।—"নকবি বুলি মনতে সৈ কাঢ়। ভয়তে হওক বা ধেমালিতে হওক, কোনোকালে কেতিয়াও মিছা কথা কব নাপায়। মিছাৰ সমান পাপ নাই। সঁচাৰ সমান পুণ্য নাই। আজিৰপৰা মোৰ কুটুম, তই কেতিয়াও মিছা কথা নকবি। বাৰু তই নকওঁ বুলি সৈ কাঢ়িছ যেতিয়া মোৰ খং মাৰ গ'ল। আহ এতিয়া সাধু কওঁ,"—

বামুণ আৰু বামুণী

একালত এখন দেশত এজন বৰ দুখীয়া বামুণ আছিল। বামুণে ধন-বিত্ত ঘটি বামুণীক আনি দিব নোৱাৰে দেখি বামুণীয়ে বামুণক নিতৌ টান কথাৰে কৰচি থাকে। এদিন বামুণীয়ে বামুণক ক'লে, "আমাৰ ৰজাৰ ঘৰলৈকে যোৱাচোন; দেশৰ অজবোৰ বামুণে গৈ চোলোখ মাতি ৰজাক আশীৰ্ব্বাদ কৰি পইচা আনিব লাগিছে, তুমি হে নোৱাৰা? তুমিনো গৈ সঁচাই মিছাই চোলোখ এটা মাতি এজোলোকা আশীৰ্ব্বাদ দি পাই-পইচা গোটাচেৰেক আনিব নোৱাৰা নে?" বামুণীৰ কথা শুনি বামুণে ক'লে, "তইতো মুখেৰে কব পাৰ, কিন্তু নুইতেহে জানে মঠাৰ কোৰ কিমানলৈ বহে। মই যে ধুই পানী এটোপা খাবলৈকো আশীৰ্ব্বাদ এষাৰ নাজানো আৰু শ্লোক এটাও নাজানো, সেইটো তোৰ ভু আছে নে নাই?" বামুণৰ এই কথা শুনি ঘৈণীয়েকে খঙেৰে ক'লে, "যোৱা দেও হে, তুমি নো তেনেহলে কিহৰ মতাটো? আশীৰ্ব্বাদ একাষাৰ দিবও নাজানা, চোলোখ এটাও মাতিব নাজানা, মিছাতে বামুণ জনম পালা। যোৱাঁ, মই কৈছোঁ তুমি যোৱা ৰজাৰ ঘৰলৈ; যাওঁতে বাটত যিহকে দেখা তাকেই সঁচাই মিছাই চোলোখৰ নিচিনা কৰি সাজি ৰজাৰ আগত সৰসৰ কৰে মাতি দিবা কোনে নো ধৰিব?"

বামুণে বামুণীৰ কথাকে সাৰোগত কৰি লৈ "বাৰু যাম" বুলি ক'লত, বামুণীয়ে গা-পা ধুই বান্ধি-বাঢ়ি ভালকৈ বামুণক এসাজ খুৱাই ৰজাৰ ঘৰলৈ পঠিয়াই দিলে।

বামুণ ওলাই গৈ বাটৰ কেউফালে চাই-চিতি যাওঁতে, প্ৰথমতে এটা এন্দুৰক মাটি খানি থকা দেখি সেই কথাকে শ্লোকৰ নিচিনাকৈ সাজিবলৈ মন কৰি "খুচুৰ-মুচুৰ মাটি খোচোৰা:" বুলি মনতে সাজি থলে। তাৰ পিছত তেওঁ অলপমান গৈ, এটা মানুহে শাকনি-বাৰীত সোমাই শাক নিবাই থকা দেখি সেইটো কথাও মনতে ইদৰে শ্লোক কৰিলে,—"কুচুটি-মুচুটি বহি কিং কৰা:।" তাৰ পিছত অলপমান গৈ বামুণে দেখিলে যে এটা বলদ গৰু সেই কালনৈকে আহিছে; তাৰ পিঠিত এটা বগলী উঠি আছে আৰু বগলীটোৱে দূৰৰপৰা বামুণক ডিঙি মেলি মেলি চাইছে। ইয়াকে দেখি বামুণে আগৰ দৰেই আৰু দুফাকি শ্লোক ৰচনা কৰিলে,—"এখুজি দুখুজিকে কলৈ যোৱা:। ডিঙি মেলিং মেলিং কালে চোৱা:॥" ইয়াৰ পিচত অলপ বাট গৈ বামুণে এজোপা লাওগছত ফুল ফুলি থকা দেখি আৰু একাকি শ্লোক সাজিলে,—"লাও ফুলং ফুলা:।" ইয়াৰ অলপপৰৰ পিছত ৰাজসভাৰ ওচৰাওচৰি হওঁতেই বামুণে তেওঁৰ ওচৰচুবুৰীয়া চিনাকি পেটগাধৰি নামৰ বামুণক দেখি আৰু এচৰণ শ্লোক সাজিলে—"পেট-গাধৰি বাপু কলৈ যোৱা:।"

কিছু পৰৰ মূৰত বামুণ ৰাজসভাত ওলালগৈ, আৰু ৰজাক দেখি তলত দিয়া "শ্লোকটো" মাতি তেওঁ "মহাৰাজৰ কুশল হওক" বুলি আশীৰ্ব্বাদ কৰিলে,—

"খুচুৰ-মুচুৰ মাটি খোচৰা:।
কুচুটি-মুচুটি বহি কিং কৰা:।
এখুজি দুখুজিকে ক'লৈ যোৱা:।

ডিঙি মেলিং মেলিং কালৈ চোৱাঃ ॥
লাও ফুলং ফুলাঃ ।
পেট-গাধৰি বাপু ক'লৈ যোৱাঃ ॥ '

ৰজাই এই "শ্লোক"টো শুনি খিস্‌মিস্ মানি বামুনক তাৰ অৰ্থ ভাঙিবলৈ ক'লত বামুণে, কাটে মাৰে যি কৰে কৰক বুলি ভয়ত কঁপি কঁপি, আদিৰেপৰা অন্তলৈকে সকলো কথা ৰজাৰ আগত ভাঙি ক'লে। বামুণৰ কথা শুনি ৰজাই বামুণক হোজা দেখি তেওঁলৈ ঘৰৰ লাগি এচৰু ৰূপ আৰু এচৰু সোণ তেওঁক দি পঠিয়াই দিলে। ৰজাই বামুণক ৰূপ-চৰু আৰু সোণ-চৰু দিওঁতে পেট-গাধৰি বাপুও ৰজাৰ সভাতে থাকি সেইটো দেখি আছিল।

বামুণে সোণ-ৰূপ দুচৰু লৈ ঘৰলৈ উভতি আহি মিচিক্‌কৰে হাঁহি বামুণীৰ আগত থাকি দিলে। বামুণীয়ে ইমানবোৰ সোণ-ৰূপ দেখি আনন্দত উত্ৰাৱল হৈ গিৰিয়েকক সুধিলে,—"কোৱাঁচোন কোৱাঁ, তুমি নো ক'ত ইমানবোৰ সোণ-ৰূপ পালা ?" বামুণে নিজক গধুৰ কৰি মিচিকীয়াই গহীনকৈ ঘৈণীয়েকক ক'লে,—"এতিয়া থাচোন থা, বন্ধা-বঢ়া কৰগৈ। জিৰাই-শঁতাই খাই-বৈ লওঁ, তাৰ পিছত শোওঁতে শোৱাপাটীত ক'ম।" এই কথা শুনি বামুণীয়ে আনন্দটো মনৰ চুঙাত হেঁচা মাৰি সুমাই সোপা দি থৈ সোণ-ৰূপবোৰ বুটলি, সামৰি-সুতৰি ভালকৈ থৈ দিলে আৰু তেতিয়াই ততাতৈয়াকৈ গা ধুই ভাত এগাল বান্ধিলেগৈ।

ভাত-পানী খাই উঠি বামুণ বামুণীয়ে শোৱাপাটীত উঠিলতে, বামুণীয়ে গিৰিয়েকক সেই সোণ-ৰূপৰ কথা সুধিলত গিৰিয়েকে কবলৈ ধৰিলে।

ইকালে বামুণ বামুণীৰ ওচৰচুবুৰীয়া কিপিণ যক পেট-গাধৰি নামৰ বামুণজনে, দুখীয়া বামুণচোৱে একেদিনৰ ভিতৰতে ইমানবোৰ সোণ-ৰূপ পোৱা দেখি তাৰ শ্ৰী সহিব নোৱাৰি, সেইবোৰ চুৰ কৰি নিবৰ মনেৰে বামুণৰ শোৱনি-ঘৰৰ পিৰালিত বহি লাহে লাহে সিন্ধি খানিবলৈ ধৰিছে। বামুণে ঘৈণীয়েকৰ আগত, প্ৰথমতে তেওঁ ৰজাৰ আগত কি শ্লোককাকি মাতিছিল ক'লে,—

"খুচুৰ-মুচুৰ মাটি খোচৰাঃ।"

চোৰে সিন্ধি খানি থাকোঁতেই এই কথা শুনি ভাবিলে যে গিৰিহঁতে এই কথা তাকহে কৈছে। ইয়াকে সি ভাবি সিন্ধি খানিবলৈ এৰি, পিৰালিত কুঁচি-মুচি বহিল। সিকালে বামুণেও ৰজাৰ আগত কোৱা দ্বিতীয়কাকি "শ্লোক" ঘৈণীয়েকৰ আগত মাতিলে,—"কুচুটি মুচুটি বহি কিং কৰাঃ।" এই কথা চোৰৰ কাণত পৰিলতে সি ভাবিলে, তাক সেইদৰে বহা দেখিহে গিৰিহঁতে সেই কথা কৈছে। সেইদেখি সি তাৰ পৰা উঠি এখুজি-দুখুজিকৈ যাবলৈ ধৰিলে। ইকালে বামুণে ঘৈণীয়েকৰ আগত তৃতীয়কাকি "শ্লোক" মাতিলে,—"এখুজি দুখুজিকৈ কলৈ যোৱাঃ।" এইবাৰ চোৰৰ কাণত এই আষাৰ পৰিলতে সি ভাবিলে "মই ধৰা পৰিলোঁ।" গিৰিহঁতে তাক ধৰিবলৈ আহিছে যেন ভাবি সি ডিঙি মেলি চাওঁতেই শুনিলে,—"ডিঙি মেলিং মেলিং কালৈ চোৱাঁঃ ?" এই আষাৰ কথাও গিৰিহঁতে চোৰকে কৈছে যেন ভাবি, লুকাবৰ মনেৰে চোৰ ওচৰৰে এজোপা লাও-গছৰ মাজত সোমালগৈ। ইপিনে বামুণে পঞ্চম আৰু ষষ্ঠকাকি "শ্লোক" মাতি ঘৈণীয়েকক শুনালে,—"লাও ফুলং ফুলাঃ।" "পেট-গাধৰি বাপু ক'লৈ যোৱাঁঃ।" পেট-গাধৰি বামুণ চোৰে সেই কথা শুনি তাৰ আচল মানে বুজিব নোৱাৰি, ধৰা পৰিলোঁ বুলি ভাবি, লাওৰ মাজৰপৰা ওলাই চোতাললৈ আহি বামুণক মাত লগালে,—"যি হ'ল হ'ল, এই কথা আৰু কাৰো আগত নকবি বোপাই।" বাহিৰত পেট-গাধৰিৰ মাত শুনি গিৰিয়েকে ওলাই আহি তাৰ হাত দুখনত ধৰি পেলালে। বামুণীয়ে চোৰক ক'লে, "যদি কাকো কব নেলাগে, তেন্তে তোমাৰ ঘৰৰ লোটা, বাটি, কাঁহী, কলহ, বয়বস্তুবোৰ আমাক দিয়াঁ।" পেট-গাধৰিয়ে এই কথাটো উলিয়ালে তাৰ সৰ্ব্বনাশ হব জানি গোসাঁইৰ শপত খাই ক'লে যে, কাইলৈ পুৱাই সি তাৰ বয়বস্তুবোৰ বামুণ বামুণীক আনি দি যাবহি, সিহঁতে যেন সেই কথা কাৰো আগত নুলিয়ায়। এই কথাত বামুণ বামুণী মান্তি হৈ পেট-গাধৰিক এৰি দিলে।

পিছদিনা পেট-গাধৰিয়ে তাৰ বয়বস্তু সোপাকে আনি বামুণ বামুণীক দিলে ; আৰু তাৰ পিছত দুয়ো চহকী হৈ মহাসুখে খাই-বৈ থাকিল।

একাদশ সাধু

ককা।—"বাপু অ', ওচৰ চাপি আহ ; আজি তোক এটা সাধু ক'ম, তাৰ নাম অবুজ ৰজাৰ বিবুধ মন্ত্ৰী। তই মোৰ পিঠিত হাত দি পকা ঘামচিবোৰ মাৰি দেচোন। চাবি, যি বোৰত নখ দিলে পুট্ পুট্ কৰে উঠিব সেইবোৰকে হে মাৰিবি, কেঁচাবোৰত নখ নিদিবি।"

নাতি।—"ককাদেউতা, তুমি ভয় নকৰিবা, মই ঘামচি মাৰিব জানো। তুমি অবুজ বিবুধ সাধু কোৱা ; পলম নকৰিবা ; মই শুনিবলৈ উত্ৰাৱল হৈ পৰিছোঁ।"

অবুজ ৰজাৰ বিবুজ মন্ত্ৰী

এক ৰজা আছিল। এদিন তেওঁৰ ওচৰৰ আন এজন ৰজাই মানুহ এটাৰ হাতত চিঠি এখন দি তেওঁলৈ এই কথা কেইটা সুধি তাৰ উত্তৰ খুজি পঠিয়ালে,—"অবুজ ৰজা কোন ? আৰু অবুজ ৰজাৰ বিবুজ মন্ত্ৰী কোন ? ভালৰ বেয়া, বেয়াৰ ভাল আৰু ৰজাৰ দুৱাৰৰ কুকুৰ কোন ?" এওঁ ৰজা তো চিঠি পঢ়ি অবাক। এওঁ ভাবি নাপালে,— ৰজা যদি অবুজ হ'ল, মন্ত্ৰীনো বিবুজ হ'ব কেনেকৈ? আৰু ভালৰ নো বেয়া হ'ব কেনেকৈ ? বেয়াৰেই বা ভাল হব কেনেকৈ ? যি বেয়া বেয়াই ; যি ভাল ভালেই। ৰজাই ভাবি-চিন্তি একো নেপাই মন্ত্ৰীক সুধিলে। মন্ত্ৰীয়ে ক'লে "মহাৰাজ, আপুনি কিছু দিনৰ সময় লওক ; পিছত সেই সময়ৰ ভিতৰত কিবা এটা কৰিব লাগিব।" ৰজাই সেই কথামতেই এবছৰৰ সময় লৈ তাৰ ভিতৰতে উত্তৰ দিম বুলি চিঠি অনা মানুহটোক বিদায় দিলে। এইদৰে কিছুদিন আছে, সময়ো লাহে লাহে যাব লাগিছে। এদিন ৰজাৰ হঠাৎ সেই চিঠিৰ আৰু প্ৰশ্নৰ কথা মনত পৰাত তেওঁ মন্ত্ৰীক সুধিলে—"মন্ত্ৰী, আজি ইমান দিন হ'ল, ক'তা দেখোন অমুক ৰজাই লিখা প্ৰশ্নকেইটাৰ উত্তৰ আজিলৈকে নিদিলা ?" এই কথাত মন্ত্ৰীয়ে ক'লে, "মহাৰাজ। তেনেহলে মোক কিছু দিনৰ নিমিত্তে বিদায় দিব লাগে। এই সময়ৰ ভিতৰত মই যেনেতেনে মতে প্ৰশ্ন কেইটাৰ উত্তৰ দিম।" ৰজাই ক'লে, "বাৰু তোমাক যিমান দিনৰ আৱশ্যক বিদায় দিলোঁ ; এতিয়া যাতে মই লাজত নপৰোঁ তাৰ দিহা কৰা।" মন্ত্ৰীয়ে "ভাল মহাৰাজ, তাৰ নিমিত্তে কোনো চিন্তা নাই, এতিয়া মই আহিলোঁহে" এই বুলি ঘৰলৈ গ'ল।

তাৰ পিছদিনা মন্ত্ৰীয়ে থাই-বৈ বেশচন কৰি, সেই ওচৰচুবুৰীয়া ৰজাৰ নগৰৰ ফালে খোজ ললে। এইদৰে ক্ৰমান্বয়ে কেইখনদিনেও গৈ মন্ত্ৰী সেই ৰজাৰ নগৰ পালেগৈ, কিন্তু গধূলি হোৱাৰ গতিকে নগৰৰ ভিতৰলৈ নোসোমাই বাতিটো বাহিৰতে আন কোনো ঠাইত থাকি কটাবলৈ মন কৰি এজনী নটীৰ তাত আশ্ৰয় ললেগৈ। নটীয়ে ঘৰ আদৰ-সাদৰকৈ তেওঁক তাতে থাকিবৰ নিমিত্তে দিহা কৰি দিলে। মন্ত্ৰীয়ে ৰাতিটো তাতে কটাই পিছ দিনা ৰাতিপুৱাই যাবলৈ ওলোৱাত নটীয়ে সুধিলে, "ডাঙৰীয়া, আপুনি নো ক'ৰ মানুহ ক'লৈ যাব লাগে ?" মন্ত্ৰীয়ে "মই বেপাৰী মানুহ ; ৰজাৰ নগৰলৈ যাবলৈ আহিছোঁ" বুলি কৈ তাৰপৰা বিদায় লৈ ৰজাৰ হাউলীৰ মুখে যাবলৈ ধৰিলে। এইদৰে গৈ থাকোঁতে তেওঁ বাটত তিনি-সুৰীয়া বুঢ়া এটা বহি থকা দেখিলে। বুঢ়াই ধাটেদি যাকে যোৱা দেখিছে তাৰ ফাললৈকে হাতজোৰকৈ পইচা খুজিছে। মন্ত্ৰী সেইখিনি পালতে, বুঢ়াই সেইদৰে হাতজোৰকৈ পইচা খোজাত, মন্ত্ৰীয়ে সুধিলে, "বুঢ়া, তই নো এইদৰে কিয় আছ ? তোক পোহ-পাল কৰোঁতা নো কোনো নাইনে ?" এই কথাত বুঢ়াই চকুলো টুকি ক'বলৈ ধৰিলে,—"ডাঙৰীয়া মোৰ কথা নো কি ক'ম ; আগ বয়সত মই ৰজাৰ দুৱৰী আছিলোঁ। যিমান দিন গাত বল আছিল কাম কৰিলোঁ, এতিয়া বুঢ়া হলোঁ, কাম কৰিব নোৱাৰা হলোঁ ; সেইদেখি ৰজাই মোৰ কামত আন এটাক ৰাখি মোক বিদায় দিলে। হাতত যি দুটা চাইটা পইচা আছিল, ভাঙি খালোঁ ; সেই কেইটা চুকালত এইদৰে ইয়াতে বহি, মানুহ যোৱা দেখিলে পইচা খোজোঁ। কাৰবাৰ মন গ'লে দুই চাৰি পইচা দিয়ে ; কেতিয়াবা আকৌ শুদা হাতেই ঘৰলৈ উভতি যাব লগাত পৰোঁ। মোৰ ল'ৰা-ছোৱালীও কোনো নাই।" বুঢ়াৰ কথা শুনি মন্ত্ৰীয়ে বুঢ়াক ৰূপ এটকা দি আকৌ যাবলৈ ধৰিলে। এইদৰে গৈ বেলি এপৰমান যোৱাত তেওঁ ৰজাৰ সভাত সোমালগৈ ; কিন্তু সেইদিনা তেওঁক ৰজাই কোনো কথাকেই নুসুধিলে। এইদৰে তেওঁ দুই তিন দিন সভালৈ গৈ তাত বহি থাকে, আৰু মাজে মাজে একেষাৰ দুআষাৰ কথা কয়। সেই কথাবিলাক ৰজাৰ মনত খাই পৰাত এদিন তেওঁক ৰজাই ওচৰলৈ মাতি নি সুধিলে, "তুমি ক'ৰ মানুহ ? ক'লৈ যাব লাগে ? আৰু মোৰ সভালৈকে বা অহাৰ সকাম কি ?" এই কথাত মন্ত্ৰীয়ে ক'লে, "মহাৰাজ। মই বিদেশী মানুহ, দেশ চাই ফুৰিছিলোঁ ; মহাৰাজৰ নাম শুনি দেখা হবৰ মনেৰে হে এই সভালৈ আহিছিলোঁ ; মহাৰাজৰ দয়া হ'লে ইয়াতে থাকিবও পাৰোঁ।" মন্ত্ৰীৰ কথা শুনি ৰজাই ক'লে,"বাৰু তুমি ইয়াতে থাকা, আজিৰপৰা তোমাকো এই সভাৰ এজন সভাসদ পাতিলোঁ।" এই কথাত মন্ত্ৰীয়ে ৰজাক সেৱা কৰি সেই দিনাৰেপৰা ৰাজসভাৰ সভাসদ হৈ থাকিল। এইদৰে তাত থাকোঁতে থাকোঁতে ৰজাই তেওঁৰ কথা-বতৰা শুনি আৰু কাম-কাজ দেখি তেওঁৰ ওপৰত বৰ সদায় হ'ল আৰু লগে লগে তেৰেঁা খোপে খোপে উঠাবলৈ ধৰিলে। এইদৰে অলপ দিনৰ ভিতৰতে তেওঁ ডেকা-মন্ত্ৰীৰ থাব পালে। সেই কামো এনে সুন্দৰ ৰূপে চলাবলৈ ধৰিলে, যে ৰজাই তেওঁৰ কাম-কাজবিলাকত মোহ গৈ শেহত তেওঁৰ একেজনী ছোৱালীকে তেওঁলৈ বিয়া দি ওচৰতে সুন্দৰৰূপে তেওঁৰ ঘৰ-বাৰী কৰাই দিয়ালে।

এইদৰে কিছুদিন যোৱাৰ পিছত এদিন ৰজাৰ কোঁৱৰে ডেকা-মন্ত্ৰীক অৰ্থাৎ তেওঁৰ ঘৈনায়েকক

ক'লে যে তেওঁলোক দুয়ো এদিন মৃগয়ালৈ যাবৰ মন কৰিছে; তেওঁৰ মত কি? মন্ত্ৰীয়ে কোঁৱৰৰ কথাত মত দিলত, পিছদিনাই দুয়ো মৃগয়ালৈ যাবলৈ ওলাল। দুয়ো দুটা ঘোঁৰা লৈ হাবিৰ ফাললৈ গ'ল। হাবিয়ে হাবিয়ে গোটেই দিন দুয়ো ঘূৰি ঘূৰি দুয়োৰো ভিতৰত আবেলি পৰত এটা পহু মাৰিলে। কিন্তু পহুটো আনে কেনেকৈ? লগত মানুহ বা হাতী নাই; কাজেই দুয়ো কথা-বতৰা হৈ থিৰ কৰিলে যে পহুৰ মূৰটোকে কাটি লৈ যোৱা যাওক। সেইমতেই পহুৰ মূৰটো কাটি কাপোৰেৰে ভালকৈ বান্ধি মন্ত্ৰীয়ে ঘোঁৰাৰ পিঠিত তুলি লৈ ঘৰৰ ফালে আহিবলৈ ধৰিলে। সেই বাটেদি আহোঁতে আকৌ ৰজাৰ কোঁৱৰৰ শহুৰেকৰ ঘৰ পায়। গধূলি হোৱা দেখি শহুৰেকৰ ঘৰৰ ওচৰ পাই ৰজাৰ কোঁৱৰে মন্ত্ৰীক ক'লে, "মই আজি ৰাতি ইয়াতে থাকোঁ, কাইলৈ ৰাতিপুৱাতে ঘৰলৈ যাম, আপুনি যাওক।" এইবুলি ৰজাৰ কোঁৱৰ শহুৰেকৰ ঘৰত সোমাল আৰু মন্ত্ৰী নিজৰ বাহৰৰ ফালে যাবলৈ ধৰিলে। ঠিক গধূলি পৰত মন্ত্ৰীয়ে ঘৰ পায়েহঁ সেই পহুৰ মূৰটো সেইদৰে বান্ধেৰেই, ভিতৰৰ শোৱা কোঠালীলৈ হাতত ওলোমাই লৈ গৈ তাতে সেইটো থৈ ঘৈণীয়েকক সুধিলে, "চিপ-ৰাংখন ক'ত আছে?" ঘৈণীয়েক তধা লাগিল। দিনৰ দিনটোৰ মূৰত এই ৰাতি ওলাইছেহি, তাতো একেষাৰ কথা-বতৰা নাই, আহিয়েই খোলে চিপৰাং খন দে। ইয়াৰ নো মানে কি? ঘৈণীয়েকে গিৰিয়েকক ক'লে, "অলপ ৰহকচোন, কি নো হ'ল? চিপৰাঙেৰে নো ৰাতিখন এতিয়া কি কৰে?" মন্ত্ৰীয়ে কলে, "একো হোৱা নাই, চিপ-ৰাংখন আনাচোন বাৰু।" ৰজাৰ জীয়েকৰ মনত কথাটো ভালকৈ নেলাগিল, সেইদেখি তেওঁ আকৌ সুধিলে, "নহয়, কিবা এটা হৈছে; মোক আপুনি ফাঁকি দিছে; কি নো হৈছে কওকচোন।" ঘৈণী-য়েকৰ কথাত মন্ত্ৰীয়ে কলে, "উহু, মই ক'ব নোৱাৰো। বৰ ডাঙৰ কথা এটা হৈছে। ক'লেই ৰজাই কেনেবাকৈ জানিব পাৰিলে মোক কাটিব।" এই কথা শুনি ঘৈণীয়েকে ক'লে, "এনেনো ডাঙৰ কথা হ'ল নে, ক'লেই ৰজাই আপোনাক কাটিব? আৰু কটা যোৱা কথাটো নো মই আনক ক'বলৈ কি হৈছে?" তথাপি গিৰিয়েকে "নহয় বুজিছানে কেনেবাকৈ ক'ববাত ওলাই পৰিব; ৰজাই সুংসূত্ৰ পালে মোক যে জীয়াই এৰিব সেইটো নহয়। ক'ববাত তোমাৰ মুখৰপৰাও ওলাব পাৰে; এতেকে নেলাগে শুনিব, থাকা।" গিৰিয়েকৰ কথা শুনি জীয়েকে মন্ত্ৰীৰ গাত ধৰি ক'লে, "মই এই আপো-নাৰ গা চুই কৈছোঁ, কাৰো আগত নুলিয়াওঁ। এতিয়া কি হৈছে মোক কওক আৰু আপোনাৰ এটা বিপদ হ'লে মোৰ জানো নহয়?" এই কথাত মন্ত্ৰীয়ে বৰ বেজাৰকৈ কবলৈ ধৰিলে,—"নুশুনা হ'লেই ভাল আছিল। তুমি কোনোমতেই নেৰা যেতিয়া কি কৰিম আৰু? কওঁ শুনা,—আজি বৰ ভয়ানক কাণ্ড এটা হ'ল। তোমাৰ ককাইদেউয়েৰাৰে সৈতে মই মৃগয়ালৈ গৈছিলোঁ। হাবিত এটা পহু দেখি তাৰ ওচৰলৈ যাবলৈ ধৰোতেই পহুটো খিপ্ৰাশৰদে লৰ মাৰিলে; আমিও পিছে পিছে খেদি গলোঁ। এইদৰে যাওঁতে যাওঁতে হাবিত তোমাৰ ককাইদেউয়েৰা গ'ল একালে, মই গ'লো একালে। কিছু দূৰ গৈ, আনফালে কিহবাই হাখিবোৰ লৰাই লৰি যোৱা যেন দেখিলোঁ। মই পহু বুলি সেইফালে পোনাই কাঁড় মাৰি দিলোঁ, আৰু তাৰ পিছতে ময়ো সেই খিনিলৈ গৈ দেখোঁ যে সেইটো পহু নহয়, তোমাৰ ককাইদেউয়েৰাক হে মাৰিলোঁ। কি কৰিম? হাবিত পৰি থাকিলে শটো লোকে দেখি চিনিব, আৰু ৰজাই মোক অপ-ৰাধীয়া কৰিব, সেইদেখি একো উপায় নাপাই, সোৱা মূৰটো কাটি বান্ধি-চাতি লৈ আহিছোঁ, এই ছাল-পীৰাখনৰ তলতে পুতি থওঁ। তুমি এতিয়া কথাটো যেন কতো নুলিওৱা। চিপৰাংখন বেগেতে আনি দিয়াচোন এতিয়া।" ঘৈণীয়েকে আৰু চিপৰাং আনি দিয়ে ক'ত? ককায়েক মৰাৰ কথা শুনি কান্দিবলৈ হে ধৰিলে। মন্ত্ৰীয়ে নিজেই চিপৰাং বিচাৰি আনি শোৱা-ছালপীৰাৰ তলতে গাঁত এটা খান্দি টোপোলাটো নেমেলাকৈয়ে তাতে পুতি মাটিখিনি আগৰ দৰে সমানকৈ থৈ বাহিৰলৈ ওলাই গুচি গ'ল। ঘৈণীয়েকে কান্দিবলৈ ধৰিলে। ৰাতি তেওঁলোকৰ ৰন্ধা-বঢ়া, খোৱা-লোৱাও একো নহ'ল।

ৰাতি পুৱালতে ৰজাৰ জীয়েক কান্দি কান্দি বাপেকৰ ঘৰত ওলালগৈ। মাকে জীয়েকক সিমান ৰাতিপুৱাই কান্দি-কাটি অহা দেখি সুধিলে, "আই অ'। তোৰ কি হ'ল? গিৰিয়েৰে মাৰিলে নে কি? ইমান ৰাতিপুৱাই কান্দি-কাটি আহিছ কিয়?" জীয়েকে উত্তৰ দিলে, "আমাৰ ফালে হ'ল আৰু।" মাকে আচৰিত হৈ সুধিলে, "কি হ'ল?" জীয়েকে ক'লে, "কালি মৃগয়ালৈ গৈ পহু বুলি জোঁৱায়েৰে ককাইদেউকে মাৰিলে।" ৰাণীয়ে "কি মোৰ বোপাইক মাৰিলে?" বুলি হিয়া ভুকুৱাই কন্দা মাত্ৰকে গোটেইখন ঘৰ তোলপাৰ লাগি পৰিল, আৰু তৎক্ষণাৎ বতাহৰ দৰে এই কথা গৈ ৰজাৰ কাণত পৰিল। ৰজাই শুনিয়েই—"কি সি কেলে-হুৱা চপনীয়া এটাৰ ইমান সাহ? আন তাক এতি-য়াই ধৰি।" বুলি ক'লে আৰু কোৱা মাত্ৰকতে কেইটামান পহৰীয়াই লৰ মাৰি গৈ মন্ত্ৰীক ধৰি

আনি ৰজাৰ আগত থিয় কৰিলে। ৰজাই সোধ-পোছ নকৰাকৈয়ে—"চাওদাং, এতিয়াই এই পাপিষ্ঠৰ কটা মূৰ আনি মোক দেখুৱাবহি লাগে" বুলি আদেশ কৰিলে। যেই কথা সেই কাম। তেতিয়াই গোটাচৰেকে পহৰীয়া আৰু চাওদাঙে ৰজাৰ জোঁৱায়েকক মৰিশালিৰ ফালে লৈ গুচি গ'ল।

মৰিশালিলৈ মন্ত্ৰীক নিওঁতে দৈৱক্ৰমে সেইপিনে, সেই যে মন্ত্ৰী ৰজাৰ নগৰলৈ আহিবৰ দিনা একজনী নটীৰ তাত তেওঁ ৰাতি থপিছিল, সেই নটীৰে সৈতে তেওঁৰ দেখা হ'ল। তাই মন্ত্ৰীক সেই অৱস্থাত দেখি সুধিলে, "ডাঙৰীয়া! এদিন আপুনি মোৰ তাত আছিল নহয়? আৰু মই সোধাত আপুনি বেপাৰী বুলি কৈছিল নহয়? পিছে নো এতিয়া কি কথা? ইহঁতেনো আপোনাক এইদৰে ক'লৈ নিয়ে?" মন্ত্ৰীয়ে "এ নক'বা দেও সেইবোৰ কথা। মোৰ দুখৰ কথানো কি শুনিবা? তোমাৰ তাৰপৰা গৈ ৰজাৰ সভাসদ হলোঁগৈ। তাৰ কিছু-দিনৰ পিচত মোৰ কাম-কাজ দেখি মোৰ ওপৰত তুষ্ট হৈ ৰজাই মোক ডেকা-মন্ত্ৰী পাতিলে আৰু লগতে তেওঁৰ জীয়ককো মোলৈ বিয়া দিলে। তাৰ পিছত ইমানদিন আছিলোঁ সুখেৰেই; পিছে কালি ৰজাৰ কোঁৱৰে মৃগয়ালৈ যাবলৈ বুলি আহি লগ লোৱাত তেওঁৰ লগত মৃগয়ালৈ গৈছিলোঁ; কিন্তু দুৰ্ভাগ্যক্ৰমে মোৰ ধেনুৰপৰা কাঁড় এপাট লাগি কোঁৱৰ মৰিল। পিছে মই কোঁৱৰৰ মূৰটো কাটি ভালকৈ বান্ধি লৈ ঘৰলৈ গলোঁ, গৈ সেইটো পুতিবলৈ চিপৰাংখন ক'ত আছে বুলি আমাৰ বৈণীক চিপৰাং খোজাত তেওঁ কিয় চিপৰাং খুজিছে, চিপৰাঙেৰে এই ৰাতিখন কি কৰে, কি হৈছে, কি কথা, মনে মনে এই বুলি সোধাত, মই সকলো-খিনি ভাঙি পাতি ক'লোঁ। পিছে বৈণীজনাই আজি ৰাতিপুৱা শুই উঠিয়েই মাকৰ আগত এই কথা কোৱা মাত্ৰকে ৰজাই খবৰ পাই মোক ধৰাই নি, একো সোধ-পোছ নাই, বিচাৰ নাই, চাওদাঙৰ হাতত কাটিবলৈ দিছে।" নটীয়ে আচৰিত মানি সুধিলে,—"কি আপোনাৰ কোনো বিচাৰ কৰা নাই?" মন্ত্ৰীয়ে কলে,—"এৰা নাই কৰা।" এই উত্তৰ পাই তাই চাওদাং আৰু পহৰীয়াক ক'লে, "ককাইহঁত, তহঁতে এওঁক এতিয়াই ৰজাৰ ওচৰলৈ ওভোতাই ল। কি অন্যায়! কি অধৰম! ৰজাৰ পুতেকক মাৰিলে বুলিয়েই সোধ-পোছ নোহোৱাকৈ মানুহজনক কাটিব পায়নে?" পহ-ৰীয়াহঁতে "আইদেউ, ৰজাৰ আদেশ; আমি কেনেকৈ ওভোটাই লৈ যাওঁ?" বুলি কোৱাত, নটীয়ে "তহঁতৰ একো দোষ নহয়, ওভত। এতিয়া এওঁক লৈ ব'ল, তাৰ বাবে যি দায় জগৰ লাগে মোৰ গাত লাগিব, ৰজাই মোক কাটিব, মৰো যাওঁ তহঁতৰ লগতে।" এই বুলি কৈ তাই আকৌ এটাইমখাকে ওভোতাই লৈ ৰজাৰ সভাত হাজিৰ হ'লগৈ। ৰজাই মন্ত্ৰীক দেখিয়েই জ্বলি উঠি চাওদাঙৰ ফালে চাই ক'লে, "তোক মই ইয়াৰ কটা মূৰ আনিবলৈ কৈছিলোঁ নহয়?" নটীয়ে তেতিয়া আগবাঢ়ি আহি ক'বলৈ ধৰিলে, "মহাৰাজ, চাওদাঙৰ গাত কোনো দোষ নাই, মইহে সিহঁতক ওভোতাই লৈ আহিছোঁ। শুনিবলৈ পালোঁ, মহা-ৰাজে কোনো সোধ-পোছ নকৰাকৈয়ে এওঁক কাটি-বলৈ হুকুম দিছে। দোষ কৰিলে শাস্তি দিয়ে, কিন্তু তাৰতো বিচাৰ হব লাগে।" এই কথাত ৰজাই ক'লে, "বিচাৰ আৰু কি কৰিম। সি মোৰ ল'ৰাক মাৰিছে দেখি ময়ো তাক কাটিবলৈ দিছোঁ।" নটীয়ে কলে "নহয় মহাৰাজ! এইটো কোনো কথা নহয়। আপোনাৰ কোঁৱৰক মাৰিছে বুলিয়েই যে সোধ-পোছ নোহোৱাকৈ কাটিবলৈ দিব এনে হব নোৱাৰে। সঁচাকৈয়ে মাৰিছেনে নাই? মাৰিছে যদি কেনেকৈ মাৰিলে? ইয়াৰতো এটা তত্ত্ব লোৱা উচিত। আন এটাক মৰা হ'লে ভালো এইদৰে সোধ-পোছ নকৰাকৈয়ে কাটিবলৈ পঠালে-হেঁতেন? কেতিয়াও নপঠায়! আৰু বিশেষত: যদি আপোনাৰ কোঁৱৰক সঁচাকৈয়ে মৰিছে হে, কোঁৱৰৰো মূৰটো আনি তেওঁৰ শোৱাপাটীৰ তলতেই তো পুতি থৈছে, সেইটো আনি চালেই হয় দেখোঁ। মহাৰাজে জানো মূৰটো অনাই চাইছিল?" নটীৰ কথা শুনি ৰজা কিছুমান সময় তবধ লাগি ৰ'ল। তাৰ পিছত ৰজাই পহৰীয়া এটাক মাতি ক'লে, "যাৰু যাচোন তই এই মন্ত্ৰীৰ ঘৰলৈ; ইয়াৰ শোৱা-ছালপীৰাৰ তলতে এটা মূৰ খোলে পুতি থোৱা আছে, খান্দি লৈ আহগৈ।" এই কথা কেইট-আষাৰ কৈয়েই ৰজাই তললৈ মূৰ কৰি নিমাত হৈ ৰ'ল আৰু সভাৰ কোনো কোনোৱে শুদা মাটিখনকে আঁকিবলৈ ধৰিলে। অলপ সময়ৰ ভিতৰতে মূৰটো আনিবলৈ যোৱা মানুহ আহি পালেহি আৰু ৰজাই টোপোলাটো মোকোলাই দেখে যে তাৰ ভিতৰত এটা পহুৰ মূৰ। দেখি সকলোৱে আচৰিত মানি ভেবা লাগিল। নটীয়ে তেতিয়া ক'বলৈ ধৰিলে,—"দেখিলে এতিয়া মহা-ৰাজ। নভবা-নিচিন্তাকৈয়ে কি কৰিছিল? তেওঁ এদিনৰ নিমিত্তে হওক বা দুদিনৰ নিমিত্তে হওক নিশ্চয় আপোনাৰ জোঁৱায়েক। তেওঁকে মাৰিবলৈ ধৰিছিল নহয়? এইটো কিমান অন্যায় কথা চাওক।" ঠিক এনে সময়তে ৰজাৰ কোঁৱৰো শহুৰেকৰ ঘৰৰপৰা গৈ ৰজাৰ সভাত উপস্থিত হোৱাত সকলোবিলাক আৰু আচৰিত হ'ল,—মৰা মানুহ দেখোন এইটো! কিছুমান পৰৰ মূৰত ৰজাই মন্ত্ৰীক সুধিলে, "বোপা কি কথা সেয়া?

মিছাকৈয়ে নো কথাটো কেলৈ উলিয়াইছিলা ?" তেতিয়া মন্ত্ৰীয়ে মাত লগালে, "মহাৰাজ ! আপুনি অমুক ৰজালৈ অবুজ ৰজা আৰু অবুজ ৰজাৰ বিবুজ মন্ত্ৰী কোন ? ভালৰ বেয়া, বেয়াৰ ভাল কোন ? আৰু ৰাজদুৱাৰৰ কুকুৰ কোন ? এই প্ৰশ্ন কেইটা লেখি তাৰ উত্তৰ খুজি পঠাইছিল নহয় ? পিছে সেই ৰজাই আপোনালৈ এবছৰৰ ভিতৰত আপোনাৰ প্ৰশ্নৰ উত্তৰ দিব বুলি লেখিছিল। আজি মই আপোনাৰ গাতে সেই কথা কেইটা দেখুৱাওঁ। মহাৰাজ, ময়ে সেই ৰজাৰ মন্ত্ৰী।"

মন্ত্ৰীৰ কথা শুনি ৰজাই সুধিলে, "মোৰ গাত নো সেই কেইটা কথা কেনেকৈ দেখুৱাবা ?" মন্ত্ৰীয়ে "ৰাক কওঁ শুনক তেনেহলে" বুলি কবলৈ ধৰিলে,—"মহাৰাজ ! আপোনাৰ পুতেকক মই মৰাৰ কথা শুনিয়েই আপুনি মোক চাণ্ডালৰ হাতত, সোধ-পোছ নকৰাকৈয়ে কাটিবলৈ দিছিল নহয় ? কাজেই আপুনি অবুজ ৰজা, আপোনাৰ অলপো বুজ বিচাৰ নাই। আৰু আপুনি ৰাক মোক কাটি-বলৈকে দিলে, এইবিলাক সভাসদ মন্ত্ৰীতো ইয়াতে ৰহিয়েই আছিল, ক'তা এটায়ো দেখোন আপোনাৰ কথাত বাদ ধৰিব নোৱাৰিলে ? আপুনি যি ক'লে সেয়ে হ'ল ; কাজেই ইহঁত এটাইখন বিবুজ মন্ত্ৰী। তাৰ পিছত কালি পহৰ মুৰটো বান্ধি লৈ আহি পুতিবলৈ ধৰোঁতে, সেইটো নো কি, আপোনাৰ জীয়েৰে কত সুধিলে তথাপি মই নকলোঁ ; শেষত মোৰ গাত ধৰি শপত খালে বোলে 'মই শপত খাই কৈছোঁ কাৰো আগত নুলিয়াওঁ।' পিছে আজি ৰাতি পুৱাবলৈ নো পাওঁতেই সেইজনী তিৰুতাই সেই খবৰটো আপোনালোকক কবলৈ আপোনাৰ ঘৰত ওলাইছিলগৈ নহয় ? এইজনী নটী, কিন্তু এইৰ গাত যিমান বুজ, যিমান বিচাৰ আছে, বোধকৰোঁ মহাৰাজৰ সভাত বা নিজ মহা-ৰাজৰো সিমান ফেৰা বিচাৰ বিবেচনা নাই। মহা-ৰাজে মোক কাটিবলৈ দিছিল ; কিন্তু তাই সকলো কথা শুনি মহাৰাজৰ গাত দোষ দেখি আকৌ মোক ওভোতাই অনাৰ নিমিত্তেই হে মই ইমান সময়লৈকে জীয়াই থাকিবলৈ পাইছোঁ। এওঁ মোক প্ৰাণ দিলে। সেইদেখি বেয়াৰ ভাল এই নটী ; আৰু ভালৰ বেয়া মহাৰাজৰ জীয়েক। আৰু ৰাজদুৱাৰৰ কুকুৰ,—মহাৰাজৰ পদুলিমুৰত থকা সেই পুৰণি বুঢ়া দুৱৰীটো। সি ডেকা বয়সত কাম কৰিলে, এতিয়া সি বুঢ়া হ'লত মহাৰাজে তাক খেদি দিলে। মহাৰাজ, হয় নে নহয় ভাবি চাওক। প্ৰশ্ন কেইটাৰ উত্তৰ দিবৰ নিমিত্তে হে আপোনাৰ লৈতে ইমান দিন আছিলোঁ ; আজি গুচি যামগৈ। আপোনাৰ জীয়েকৰ মন গ'লে মোৰ লগত যাব পাৰে, মন নগ'লে থাকিব পাৰে ; এনেকুৱা তিৰুতাত মোৰ সকাম নাই।"

মন্ত্ৰীৰ কথাত ৰজাই বৰ লাজ পালে। তাৰ পিছত তেওঁক তাত থাকিবলৈ ৰজাই বৰকৈ ধৰি-ছিল ; কিন্তু মন্ত্ৰীয়ে "মহাৰাজ ! মইতো পূৰ্ব্বেই কৈছোঁ, প্ৰশ্ন কেইটাৰ উত্তৰ দিবলৈ হে আপোনাৰ ইয়ালৈ আহিছিলোঁ। আৰু ইমান দিন আছিলোঁ, আৰু নাথাকোঁ।" মন্ত্ৰীয়ে এই বুলি কৈ সেই দিনা তাতে থাকি পিছ দিনা ৰাতিপুৱাই ঘৈণীয়েকৰ লৈতে ৰজাৰ ওচৰত বিদায় লৈ আগৰ নিজৰ ঘৰলৈ গুচি আহিল। নিজৰ ৰজাক তেওঁ সকলো কথা কোৱাত ৰজা মন্ত্ৰীৰ ওপৰত বৰ সন্তুষ্ট হ'ল আৰু বহুত ধন-সম্পত্তি, মাটি-বাৰী মন্ত্ৰীক ৰজাই বঁটা দিলে। মন্ত্ৰীয়ে শেষত বৰ সুখেৰে দিন কটাবলৈ ধৰিলে।

——

দ্বাদশ সাধু

নাতি।—"ককাদেউতা আজিৰ ভাগৰ সাধুটো শুনিবলৈ আহিছোঁ।"

ককা।—"আৰু তোক সাধুকথা নকওঁ। মোৰ বৰ খং উঠিছে।"

নাতি।—"কিয় ককা ? মই কি কৰিলো ?

ককা।—"কি কৰিলো ? পুৱা মাৰৰ কথাৰ অবাধ্য হৈছিলি কিয় ? প্ৰথমতে মাৰে তোক খটাৰপৰা তামোল-কটাৰীখন আনিবলৈ পঠিয়াইছিল, তই খেমালিত মগন হৈ উঠি নগলি। তাৰ পিছত তই মিছাতে সৰু ভায়েৰক জোকাই আমনি কৰি কন্দুৱাইছিলি, মাৰে ইমান হাক দিছিল, তথাপি নুশুনিছিলি। ল'ৰাৰ পক্ষে এই পৃথিৱীত মাক বাপেকতকৈ কোন ডাঙৰ আছে ? মাকৰ কথাৰ অবাধ্য হ'লে পাপ হয় ; আৰু ঈশ্বৰেও খং কৰে।"

নাতি।—"মোৰ দোষ হৈছে ককা-দেউতা। আজিৰপৰা মই তেনে নকৰো। দেউতা আৰু আয়ে যি হুকুম দিয়ে তাকে কৰিম।"

ককা—"তেনেহলে মোৰ ওচৰ চাপি আহ, মোক চুমা এটা দে, আৰু শুন সাধু,—

বামুণৰ ভাগ্য

এক বামুণ আছিল। তেওঁৰ পৰিয়ালৰ ভিতৰত—বামুণী আৰু গোটাচেৰেক ল'ৰা-ছোৱালী। বামুণৰ

ঘৰ দুৰৱস্থা, ধন-সম্পত্তি বা ধান-চাউল একো নাই। তেওঁ কাম-কাজ কৰি যি অলপ পায় তাৰেই কোনো-মতে ঘৰ চলায়; কিন্তু তাৰে নো এঘৰোৱাহ মানুহৰ কেইদিন চলিব পাৰে? মাজে মাজে বামুণ সপৰিয়ালে লঘোনে-ভোকে থাকিব লগাত পৰে। এনেকুৱা ঘটনা যে কেতিয়াবা হে হয় এনে নহয়, মাহৰ ভিতৰত প্ৰায় পোন্ধৰ দিন। বামুণ-বামুণীৰ দুখ-বেজাৰৰ সীমা নাই। এদিন বামুণীয়ে গিৰিয়েকক ক'লে, "এটা কথা কবাচোন, এদিন বিধতাৰ তালৈকে যোৱাঁচোন; বিধতাক সোধাঁগৈ আমাৰ কপালতনো তেওঁ আৰু দুখকে হে লেখিব পায়নে?" এই কথা শুনি বামুণেও ক'লে, "এৰা ভাল কৈছা, কাইলৈকে যাওঁ, বিধতাই নো আমাৰ কপালত কিয় ইমানকৈ দুখ লেখিছে তাকে তেওঁক সুধি চাওঁগৈ।" এইদৰে বামুণ-বামুণীয়ে কথা-বতৰা হৈ, বামুণে বিধতাৰ ওচৰলৈ যোৱাকে ঠিক কৰি দুখে-কষ্টে সেই ৰাতিটো কটাই ৰাতিপুৱা গা ধুই জলপান এটা খাই আৰু পিঠাগুৰিৰ টোপোলা এটা কাষলতিৰ তলত লৈ বিধতাক বিচাৰি যাবলৈ ধৰিলে।

সেইদৰে গৈ থাকোঁতে বামুণে কিছুমান দূৰত এহাল মহে যুঁজ কৰি থকা দেখিলে আৰু সিহঁতৰ ওচৰ পোৱা মাত্ৰকে মহহালে যুঁজিবলৈ এৰি বামুণ ক'লৈ যায় সুধিলে। বামুণে "বিধতাৰ ওচৰলৈ যাওঁ" বোলাত, মহহালে ক'লে, "তেনেহলে আমাৰো একেষাৰ কথা সুধিবচোন,— আমাৰ আজি উপজিবৰ কত দিন হ'ল, সেই দিন ধৰি এই একে ডোখৰ ঠাইতে আমি যুঁজিব লাগিছোঁ, তথাপি কোনোমতেই আমাৰ যুঁজখন ভগা নাই। ইয়াৰ নো কাৰণ কি বিধাতাক সুধিবচোন।" বামুণে "বাৰু" বুলি আকৌ যাবলৈ ধৰিলে। এইদৰে গৈ থাকোঁতে বামুণে কিছুমান পৰৰ মূৰত এজোপা আমগছ পালেগৈ। বামুণক সেইপিনে যোৱা দেখি গছজোপাই "দেউ, ক'লৈ যায়?" বুলি সোধাত বামুণে "বিধতাৰ ওচৰলৈ যাওঁ" বুলি ক'লে। সেই কথা শুনি গছজোপাই ক'লে, "অনুগ্ৰহ কৰি মোৰ হৈয়ো দুষাৰমান কথা বিধতাক সুধিবচোন। মোৰ ইমান আম হয় তথাপি তাৰ এটা আমও মানুহে খাওক ছাৰি এটা চৰায়েও নেখায়। ইয়াৰ নো কাৰণ কি?" বামুণে "বাৰু সুধিম" বুলি আকৌ যাবলৈ ধৰিলে। সেইদৰে গৈ গৈ বামুণে এখন নৈ পালেগৈ। কিন্তু তাত নাও-দুনি একো নাই, মাত্ৰ এটা ঘৰিয়াল পানীত ওপঙিব লাগিছে। বামুণক দেখি ঘৰিয়ালে "বাপুদেউ ক'লৈ বা যায়?" বুলি সোধাত বামুণে ক'লে, "বিধতাৰ ওচৰলৈ যাবলৈ আহিছিলোঁ; এতিয়া এই নৈখন পাৰ হৈ যাওঁ কেনেকৈ?" এই কথাত ঘৰিয়ালে ক'লে, "যদি মোৰ হৈও এটা কথা বিধতাক আপুনি সোধে তেনেহলে মই আপোনাক পিঠিতকৈ পাৰ কৰিব পাৰোঁ।" বামুণে "কি কথা কোৱাঁ।" বোলাত ঘৰিয়ালে কবলৈ ধৰিলে— "উপজিবৰেপৰা মই আৰু পানীৰ তললৈ যাব নোৱাৰোঁ। ইয়াৰ নো কাৰণ কি সুধি আহিবচোন।" বামুণে "বাৰু" বোলাত ঘৰিয়ালে বামুণক পিঠিত তুলি লৈ নৈ পাৰ কৰি দিলে। বামুণে নৈৰ পাৰতে টোপোলা মেলি পিঠাগুৰি এগাল উলিয়াই লৈ খাই আকৌ যাবলৈ ধৰিলে। সেইদৰে গৈ বামুণ বিধাতাৰ ওচৰ পালেগৈ। বিধাতাই বামুণক অহাৰ কাৰণ সোধাত বামুণে নিজৰ দুখ-দুৰ্দ্দশাৰ কথা ভাঙিপাতি ক'লে। তাৰ পিছত বামুণে আগৰ কথামতে ক'লে,— "বাটত আহোঁতে এহাল মহৰ যুঁজ লাগি থকা দেখিলো একোটিকালে সিহঁতৰ যুঁজ নেভাগে; ইয়াৰ নো কাৰণ কি?" বিধতাই ক'লে, "সিহঁতৰ যুঁজ লগা ঠাইডোখৰত একলহ ৰূপ আছে, সেই ৰূপ কলহ তুমি খানি লৈ গ'লেই সিহঁতৰ যুঁজ ভাগিব।" বামুণে আকৌ সুধিলে, "এজোপা আমগছ দেখিলো, তাত আম ভৰি লাগে, কিন্তু তাৰ এটা আমও মানুহ বা চৰাই-চিৰিকতিয়ে নেখায়; ইয়াৰ নো কাৰণ কি?" বিধাতাই ক'লে, "সেই গছজোপাৰ তলত এপেৰা গহনা আছে, সেই গহনাবোৰ তুমি উলিয়াই নিলেই সকলোৱে গছজোপাৰ আম খাবলৈ ধৰিব।" তাৰ পিছত বামুণে সুধিলে, "আৰু এটা ঘৰিয়াল দেখিলোঁ, সি সদায় ওপঙি থাকে, কোনোমতেই পানীৰ তললৈ নেযায়; তাৰ নো কাৰণ কি?" বিধাতাই ক'লে, "সেই ঘৰিয়ালটোৰ পেটত এজনী সুন্দৰী ছোৱালী আছে, সেই ছোৱালীজনী তুমি উলিয়াই নিলেই সি তললৈ যাব।" তাৰ পিছত বামুণে বিধাতাৰ ওচৰত বিদায় লৈ ঘৰিয়ালৰ পেটৰ পৰা ছোৱালীজনী, আমগছৰ গুৰিৰ পৰা গহনাবোৰ আৰু মহৰ যুঁজ লগা ঠাইৰপৰা টকাৰ কলহটো উলিয়াই লৈ ঘৰলৈ আহি চহকী হৈ দিন কটাবলৈ ধৰিলে।

ত্ৰয়োদশ সাধু

ককা।—"বাপুকণ ঔ! ওচৰ চাপি আহ, সাধুকথা শুনহি। আজি দেখি বং পাইছো যে তই মাৰৰ হাক-বচন শুনি সোণামুৱা হ'বা হৈছ।"

নাতি।—"কোৱা ককাদেউতা কোৱা।"

ভূত আৰু বামুণী

এক বামুণ আছিল। সংসাৰত বামুণৰ এজনী বৈণীয়েকত বাজে আৰু আপোন বুলিবলৈ কোনো

নাছিল। বামুণৰ অৱস্থাও ভাল নাছিল ; খুজি মাগি কোনোমতে তেওঁ পেট প্ৰবৰ্ত্তাইছিল আৰু প্ৰায় দুভাগ লঘোনে থাকিব লগাত পৰিছিল। তাৰ উপৰি ঘৈণীজনাও খৰ ডাকু তিৰোতা আছিল। কেতিয়াবা বামুণ শুদা হাতে ঘৰলৈ উভতিলে তিতা মাত-কথাৰে বামুণীয়ে বামুণৰ তৎ এককৰাই দিছিল।

এদিন গধূলি বামুণ শুদাহাতে ঘৰলৈ উভতিব লগাত পৰিল। তাৰ আগদিনাও গিৰিয়েক ঘৈণী-য়েক দুয়ো লঘোনে আছিল। সেইদৰে গিৰিয়েক শুদা হাতে ঘৰলৈ ওভতা দেখি বামুণীয়ে উগ্ৰমূৰ্ত্তি ধৰি বামুণক মাৰিবলৈ ঝাড়নী এডাল লৈ খেদি আহিল। বামুণে গতি বেয়া দেখি ৰজাৰ নগৰৰ ফালে লৰ ধৰিলে। বামুণীয়ে খঙত একো নেপাই, ওচৰত থকা আঁহতগছ এজোপাতে ঝাড়নীৰে কোব ধৰিলেহি। দৈৱক্ৰমে সেই গছজোপাত এটা ভূত আছিল। বামুণীয়ে গছজোপাত ঝাড়নীৰে কোবোৱা দেখি ভূতে ভাবিলে বামুণীয়ে মোকেহে ঝাড়নীৰে মাৰিবলৈ আহিছে, ইয়াকে ভাবি ভূতে ভয় খাই তাৰপৰা পলাই ৰজাৰ নগৰ ওলালগৈ।

এদিন বামুণ ৰজাৰ নগৰৰ বজাৰত ফুৰোঁতে ভূতে তেওঁক দেখা পাই আঁতৰকৈ মাতি নি সুধিলে, "তুমি সেই ঝাড়নী দেখি পলাই অহা বামুণ নোহোৱা নে ?" বামুণে আচৰিত হৈ ক'লে, "হয়। তুমি নো কোন ?" ভূতে ক'লে, "সেই দিনা তোমাৰ ঘৈণীয়েৰাই ঝাড়নী লৈ তোমাক মাৰিবলৈ অহাত তুমিতো পলাই সাৰিলা ; তাৰ পিছত তেওঁ খঙত একো নেপাই মই থকা আঁহত গছজোপাতে ঝাড়নীৰে কোব ধৰিলেহি ; মোকো মাৰে বুলি ভয়ত মই পলাই আহি এইখিনি পাইছোঁহি। এতিয়া তোমাৰে মোৰে একে দশা, সেইদেখি তোমাৰ মই অলপ উপকাৰ কৰিব খোজোঁ। মই এই নগৰৰ মন্ত্ৰীৰ জীয়েকক ধৰিমগৈ ; মন্ত্ৰীয়ে অনেক চিকিৎসা কৰাব, অনেক বেজ-গিয়ানী লগাব, কোনোমতেই মই নেৰোঁ ; কিন্তু তুমি কোনোমতে সেই ঠাইত হাজিৰ হলেই এৰি গুচি যাম। তেতিয়া মন্ত্ৰীয়ে তোমাক অনেক ধন-সম্পত্তি দিব, তাৰে তুমি সুখেৰে খাই লৈ থাকিব পাৰিবা। তাৰ পিছত মই ৰজাৰ জীয়েকক ধৰিমগৈ ; কিন্তু তুমি তালৈ কেতিয়াও নেযাবা ; গ'লেই তোমাক মাৰিম। কাৰণ মই ৰজাৰ জীয়েকক ভাল পাওঁ।"

বামুণৰ লগত ভূতৰ এইদৰে কথা-বতৰা হোৱাৰ পিছদিনা সকলোৱে দেখিলে, মন্ত্ৰীৰ জীয়েকক ভূতে পাই বলিয়া কৰিছে। মন্ত্ৰীয়ে অনেক চিকিৎসা কৰাইছে, অনেক বেজ-জ্ঞানী লগাইছে তথাপি কোনোমতে জীয়েক ভাল হোৱা নাই। শেষত মন্ত্ৰীয়ে কৈ দিলে যে, যেয়ে তেওঁৰ জীয়েকক ভাল কৰিব পাৰিব তাকে তেওঁৰ আধা সম্পত্তিৰে সৈতে জীয়েকক বিয়া দিব। তাৰ পিছদিনা ৰাতিপুৱা বামুণে সন্ন্যাসীৰ বেশ ধৰি মন্ত্ৰীৰ পদূলি-মূৰত টহল দিবলৈ ধৰিলে। এটা লগুৱাই তাকে দেখি মন্ত্ৰীৰ আগত কোৱাত, মন্ত্ৰীয়ে বামুণক ভিতৰলৈ লৈ যাবলৈ ক'লে। বামুণ, মন্ত্ৰীৰ আগত ঠিয় হোৱাত মন্ত্ৰীয়ে বামুণক, জীয়েকক ভূতে পোৱাৰ কথা ক'লে আৰু ভাল কৰিব পাৰিব নে নোৱাৰে বুলি সুধিলে। বামুণে মনে মনে হাঁহি "বাৰু এবাৰ চাওঁচোন" বুলি ক'লে। এই কথাত মন্ত্ৰীয়ে বামুণক জীয়েক থকা খোটালিলৈ লৈ গ'ল আৰু তেওঁলোক তাত সোমোৱা মাত্ৰকে "ঔ নাহিবি ঐ। মই যাওঁ ঐ।" বুলিয়েই মন্ত্ৰীৰ জীয়েক মাটিত পৰি গ'ল। তাৰ পিছত তেওঁ সুস্থ হৈ আগৰ দৰে সকলোৰে লগত কথা-বতৰা হ'বলৈ ধৰিলে। মন্ত্ৰীয়ে দেখি বামুণৰ ওপৰত বৰ সন্তুষ্ট হ'ল আৰু পূৰ্ব্বৰ কথামতে বামুণৰ ল'ৰাৰ লগত জীয়েকক বিয়া দিলে।

সিফালে সেই দিনাই ভূতে মন্ত্ৰীৰ জীয়েকক এৰি ৰজাৰ জীয়েকক ধৰিলেগৈ। ৰজাৰ ঘৰত হুলস্থূল লাগি পৰিল। কত বেজ লগাইছে, কত দৰৱ-জাতি খুৱাইছে, তথাপি কোনোমতেই একো হোৱা নাই। শেষত ৰজাই নগৰত ঢোল পিটি শুনাই দিলে যে, যেয়ে তেওঁৰ জীয়েকক ভাল কৰিব পাৰিব তাকে তেওঁ অৰ্দ্ধৰাজ্য দি জীয়েকক বিয়া দিব। এই জাননী পাই আশাত কত মানুহ গ'ল, কত আহিল ৰজাৰ ঘৰলৈ, কিন্তু কোনোৱে ৰজাৰ জীয়েকক ভাল কৰিব নোৱাৰিলে। অন্তত মন্ত্ৰীৰ জীয়েকক ভূতে পোৱাৰ আৰু তেওঁৰ জোঁৱায়েকে ভাল কৰাৰ কথা শুনি ৰজাই বামুণক মাতি পঠালে। আগৰ কথালৈ মনত পেলাই বামুণ কোনোমতেই নেযায়, ৰজায়ো নেৰে। নোযোৱা দেখি শেষত ৰজাৰ খং উঠি কৈ পঠালে যে সি নাহিলে তাক কটাব। কি কৰিব বামুণ নিৰুপায় ; গ'লেও মাৰে ভূতে, নগলেও কাটে ৰজাই ; দুয়ো পিনে মৰণ। শেষত বামুণে যোৱাকে ঠিক কৰিলে। বামুণ গৈ যেই ৰজাৰ জীয়েকৰ ওচৰত ওলালগৈ, তেতিয়াই ভূতে গৰ্জ্জি উঠিল, আৰু ক'লে "কি মই হাক দিয়াতো তই আকৌ আহিছ ?" তেতিয়া বামুণে ক'লে, "নহয়, মই সেই কাৰণে অহা নাই, আন কথা এটাৰ নিমিত্তেহে আহিছোঁ, তোমাৰ কাণে কাণে হে কব পাৰিম।" ভূতে "বাৰু কি কথা ক" বোলাত বামুণে ৰজাৰ জীয়েকৰ কাণৰ ওচৰত ফুচফুচাই কবলৈ ধৰিলে—"সেই আগৰ মোৰ তিৰুতাজনীয়ে মই ইয়াত থকা গম পাই ঝাড়নীটাৰ লৈ খেদি আহিছে। মই পলাই আহিছোঁ। তোমাকো তাই মাৰে বুলিহে খবৰ কবলৈ আহিছিলোঁ।" এই কথাত ভূতে কিচুটি

থাই "ইয়ালৈকে আহিছেনে ? কোনখিনি পাইছেহি ? বুলি সুধিলে। বামুণে "মই বাটত দেখি আহিছিলোঁ; এতিয়া পদূলি সোমাব পায়।" এই বুলি কোৱা মাত্ৰকে ৰজাৰ জীয়েকক ভূতে এৰি ভিৰাই ধৰি লৰ মাৰিলে, আৰু তাৰ পিছত ৰজাৰ জীয়েকো ভাল হ'ল। ৰজাই পূৰ্ব্বৰ প্ৰতিজ্ঞামতে বামুণক আধা ৰাজ্য যৌতুক দি তেওঁৰে সৈতে জীয়েকক বিয়া দিলে। ইয়াৰ পছত বামুণে সুখেৰে খাই-বৈ দিন কটাবলৈ ধৰিলে।

——

চতুৰ্দ্দশ সাধু

ককা।—"তই আজি সেই মাগনী বুঢ়ীজনীক আমাৰ চোতালৰপৰা খেদাই দিছিলি কেলৈ ? মগনিয়াৰক চাউল এমুঠি নিদিয়াকে কেতিয়াও খেদাব নাপায়; খেদালে পাপ হয়, ঈশ্বৰে খং কৰে।"

নাতি।—"ককাদেউতা, সেইটো মই জানো; সেইদেখি আন মগনিয়াৰক নেখেদাওঁ। কিন্তু সিদিনা মই বৰমেখিৰ ঘৰত শুনি আহিছিলো, যে সেইজনী হেনো শাঁখিনী; আৰু তাই কুমন্ত্ৰ কৰি মানুহৰ বেয়া কৰে। আমাৰ এইডোখৰত মানুহৰ মাউৰ আৰু গৰুৰ চৰকা হেনো তাইৰ বাবে হে হয়। সেই কথা শুনিবৰেপৰা মোৰ তাইলৈ বৰ ভয় আৰু ঘিণ লাগিছে, সেইদেখি হে তাইক চাউল নিদি খেদাই দিছিলোঁ।"

ককা।—"তোক এইবোৰ কোনোবাই বৰ ভুল কথা শিকাইছে। মানুহ কেতিয়াও শাঁখিনী হব নোৱাৰে তাই বৰ দুখীয়া কেও-কিছু নথকা মানুহ আৰু দুখত পৰি, নবীয়াত ভুগি আৰু লোকৰ কেচৈবা-জেঙেৰা খাই তাইৰ স্বভাৱ খিংখিঙীয়া হৈছে; সেইদেখি তাই তেনেকৈ কথা কয়। এনে দুখীয়া নিমাখিত প্ৰাণীক ভিক্ষা দিলে, মৰম বেথা কৰিলে বৰ পুইণ হয়। আজিৰ পৰা তই তাইক মৰম কৰি ভিক্ষা দিবি।"

নাতি।—"দিম ককাদেউতা। এতিয়া মই বুজিলো।"

ককা।—"তেনেহলে শুন আজি শাঁখিনা-শাঁখিনীৰ সাধু এটাকে কওঁ।"—

শাঁখিনা আৰু শাঁখিনী

এসময়ত এখন গাঁৱত এটা শাঁখিনা আৰু আন এখন গাঁৱত এজনী শাঁখিনী আছিল। সিহঁত গাঁৱত থকাত হেনো সিহঁতৰ গাঁৱত খেতি-বাতি বৰষুণ-বাদল একো নহৈছিল, আৰু গাঁওমানুহৰ নানাতৰহৰ অপায়-অমঙ্গল হৈছিল। পাছে এদিন শাঁখিনাক গাঁওমানুহে ধৰি এক কাউৰী-কুকুৰ নোযোৱা অৰণ্যত মেলি থৈ আহিলগৈ। ঠিক সেই সময়তে ইখন গাঁৱৰ মানুহেও তেনেকুৱা অপৰাধতে শাঁখিনীক ধৰি বান্ধি লৈ গৈ সেইখন হাবিতে আন ফালে এৰি থৈ দি আহিল; শাঁখিনীক গাঁৱৰ মানুহে অলপমান খোৱা বস্তুকে দি আহিছিল, কিন্তু শাঁখিনাক দা এখনৰ বাহিৰে কুটা এগছকে নিদিলে।

শাঁখিনীয়ে হাবিতে অকলৈ কান্দিকাটি বহি আছে, এনেতে ইফালৰপৰা শাঁখিনাই নিজৰ কপালকে দুষি গৈ গৈ সেইদৰে থকা দেখা পালেগৈ। নিজান হাবিত তাইক দেখি সি আচৰিত হৈ সুধিলে, "হেৰা তুমি কোন ? ভূতুনী নে পিশাচনী ? তুমি অকলৈ ইয়াত কিয় বিনাই আছাহি ?" এই কথা শুনি শাঁখিনীয়ে উত্তৰ দিলে—"ভূতুনীও নহওঁ, পিশাচনীও নহওঁ; নৰ-মনিচ হে। মোক গাঁৱৰ মানুহে অনাদোষত শাঁখিনী বুলি এই হাবিত মৰিবলৈ মেলি থৈ গৈছেহি। পাছে তুমিনো কোন ? দেও নে, ভূত নে, মানুহ ?" তাইৰ প্ৰশ্নটো শুনি শাঁখিনাই উত্তৰ দিলে—"মইও তোমাৰে নিচিনা দুৰ্কপলীয়া মানুহেই হে, দেও-ভূত একো নহওঁ। তোমাক যি দশাই লগ লৈছে, মোকো সাইলাগ তেনে দশায়েই লগ লৈছে। মোকো মোৰ গাঁও মানুহ, মিতিৰ কুটুমে শাঁখিনা বুলি ধৰি আনি এই হাবিত মাৰিবলৈ এৰি থৈ গৈছেহি।" এই কথা শুনি শাঁখিনীয়ে অলপ উৎসাহ পাই তাক সুধিলে—"তেন্তে এতিয়ানো আমাৰ কি দশা হব ?" শাঁখিনাই ক'লে, "আমি আৰু মানুহৰ গাঁৱলৈ নাযাওঁ। মানুহৰ ধৰম-কৰম, বিচাৰ-বিবেচনাই আমাক আটিছে। ইয়াতে দুয়ো জুপুৰি এটা সাজি একেলগে থাকো আহাঁ।" এই প্ৰস্তাৱত শাঁখিনী মান্তি হৈ শাঁখিনাৰে সৈতে ঘৰ পাতি সেই হাবিতে থাকিবলৈ ধৰিলে।

এইদৰে দুয়ো কিছুদিন থকাৰ পিছত শাঁখিনীৰ এটা কেঁচা উপজিল; আৰু তাৰ এবছৰ পিছত এটা গাহৰি উপজিল। গোসাঁয়ে আমাক যি দিছে সেয়েই ভাল বুলি শাঁখিনা শাঁখিনীয়ে বৰৰেৰে কেঁচা আৰু গাহৰি দুইকো মৰম-বেথা কৰি তাতৰ-পীয়ল কৰিবলৈ ধৰিলে।

কেঁচাই নিতৌ ইন্দ্ৰৰ সভালৈ যায়, আৰু পৃথিৱীত খেতিবাতি আদি হোৱা নোহোৱাৰ বিষয়ে দেৱতাসকলে পতা কথা শুনি থাকেগৈ। এদিন কেঁচাই দেৱতাসকলৰ মুখত, সেই বছৰ দ মাটিত খুব ধান হ'ব বুলি কোৱা কথা শুনি ঘৰলৈ আহি বাপেকক ক'লে, "পিতাই, আজি দেৱতাসকলে কোৱা-মেলা কৰিছিল বোলে এইবাৰ দ মাটিত শইচ উপচি পৰিব। এতেকে আমাৰ এইবাৰ সৰহকৈ দ মাটিত খেতি কৰিব লাগে।" কেঁচাৰ কথা শুনি বাপেকে মাত লগালে, "আমাৰ হাল নাই, গৰু নাই, কেনেকৈ তিমান খেতি কৰিবি বোপাই?" এই কথা শুনি শাঁখিনাৰ সৰুটো পুতেক গাহৰিয়ে বাপেকক ক'লে, —"কিয় নোৱাৰিম পিতাই? মই আছো যেতিয়া তুমি চিন্তা নকৰিবা। তুমি আজি কেথোকামান কল আৰু কিছুমান আলু, কচু, শেলুক, আদি যি পোৱা আনি পথাৰলৈ লৈ গৈ তাত দুহাত তিনিহাত আঁতৰকৈ এটা এটাকৈ পুতি থোৱাগৈ। মই মোৰ গিয়াতিবিলাকক হাবিৰ পৰা মাতি আনি সেইবোৰ খানি খুচৰি খাবলৈ দেখুৱাই দিম। তেওঁলোকে সেইবোৰ খুচৰি খুচৰি খাওঁতেই আমাৰ মাটি চহ হৈ যাব। তেতিয়া তুমি অনায়াসে তাত ধান ৰুব পাৰিবা।" গাহৰি পুতেকৰ কথামতে বাপেকে কিছুমান আলু, কচু, কল, শেলুক আনি কুৰি পুৰামান মাটিত পুতি পুতি থলে। নিশা গাহৰিয়ে গৈ তাৰ গিয়াতিবিলাকক মাতি আনি সেইবোৰ খানি খুচৰি খাবলৈ লগাই দিলে। লাখ-কোটি গাহৰিৰ মাজত কুৰি পুৰা মাটি নো কি? চাওঁতে চাওঁতেই গোটেই-খন চহ হৈ ধুলিয়ৰি হৈ পৰিল। ইয়াৰ পিছত সেই মাটিত গাহৰিৰ বাপেকে ধান ৰুই দিলে। ধান উভৈনদী হৈ গ'ল। কিন্তু দেৱতাসকলে শাঁখিনা শাঁখিনীৰ পৰা পূজাপাতল খাবলৈ নাপাই সিহঁতক দেখিব নোৱাৰা হৈছিল। সেইদেখি তেওঁলোকৰ হিংসা লাগি সেইবোৰ নষ্ট কৰিবলৈ ফিকিৰ পাতি এপাল কাকতী-ফৰিং পঠিয়াবলৈ থিৰ কৰিলে। কেঁচাই এই কথা শুনি বাপেকক কৈ দিলেহি,— "পিতাই আমাৰ খেতি নষ্ট কৰিবৰ মনেৰে দেৱতাসকলে লাখ-কোটি ফৰিং পঠিয়াবলৈ থিৰ কৰিছে।" বাপেকে সুধিলে,—"পাছে ইয়াৰ নো উপায় কি হ'ব?" কেঁচাই ক'লে, "উপায় আছে। আপুনি কিছুমান কাঠখৰি কাটি আনি আমাৰ ধাননিৰ চাৰিওফালে একোটাকৈ মেজি সাজি থৈ দিয়ক। যেতিয়াই ফৰিংবোৰ ধাননিত পৰিবলৈ আহিব, তেতিয়াই আপুনি সেই মেজিবোৰত জুই লগাই দিব; আৰু ফৰিংবোৰে জুই দেখি লৰি গৈ তাত জপিয়াই পৰি মৰি জাহ যাব।" কেঁচাই কোৱামতেই বাপেকে কৰি ফৰিঙৰ হাতৰপৰা ধানবোৰ ৰক্ষা কৰিলে; আৰু শাঁখিনাৰ বুধি দেখি দেৱতাসকলৰ মুখ ক'লা পৰিল। দেৱতাসকল ভোঁটা হৈ তেওঁলোকৰ খং উঠিল। তেওঁলোকে শাও দিলে যে শাঁখিনা শাঁখিনীৰ ধানৰ ডাঙৰিটোৰে পতি ভগাদোনৰ এদোন মাথোন ধান সৰিব। কেঁচাই দেৱতাসকলৰ শাওপাতটো শুনি সেই কথা বাপেকৰ আগত কৈ দিলেহি। বাপেকে কথাটো শুনি আমন-জিমনকৈ বহি থকা দেখি কেঁচাই মাত লগালে—"পিতাই, তুমি বেজাৰ নকৰিবা। ইয়াৰ উপায় আছে, মই কওঁ শুনা। তুমি ধান আনিবৰ সময়ত ডাঙৰকৈ ডাঙৰি নাবান্ধি মাথোন ভাৰখনত ইফালে এটা মুঠি সিফালে এটা মুঠিৰ ডাঙৰি বান্ধি দিবাঁ। দেৱতাসকলৰ কথা অথলে নাযায়। আমি মুঠিটোতেই ভগাদোনৰ এদোন এদোন ধান পাম।" বাপেকে কেঁচাৰ কথা শলাগি-শুলাগি থাকি সময়ত ধান দাই, কেঁচাই কোৱামতে কৰি এটাইখিনি ধান চপালে।

ধান মাৰিবৰ সময়ত বাপেকে কেঁচাৰ বুধিমতে, এটা মুঠি মাৰে, মাৰি, তাৰপৰা সৰা ধানখিনিৰ তলত এটা ডুলি পাতি থৈ তলি-ফুটা ভগাদোন এটাৰে সেই ধানবোৰ জোখে। ডুলিটো নভৰেমানে দোনটোও নভৰে। ইপিনে দেৱতাৰ বাইক আছে মুঠিটোৰেপতি ভগাদোনেৰে এদোন ধান হ'ব লাগে, নহলে তেওঁলোকৰ বাইক অথলে যায়। সেইদেখি প্ৰতি মুঠিটোতে এডুলি এডুলি ধান হ'বলৈ ধৰিলে।

শাঁখিনাৰ এনে চক্ৰান্ত দেখি দেৱতাসকল খঙত একোনাই হ'ল। তেওঁলোকে একো উপায় নাপাই শাঁখিনা শাঁখিনীক মাৰিবৰ মনেৰে আলচ পাতি যম ৰজাক ক'লেগৈ। যম ৰজাই বোলে, "এনেটো নো অন্যায় কথা দেৱতাসকলে তেওঁক কৰিবলৈ কৰ পায় নে? সিহঁতৰ আয়ুস থকাত মই সিহঁতক মাৰিম কেনেকৈ?" দেৱতাবিলাকে আঁকোৰ-গজালিকৈ লাগি লাগি যমক আমনি কৰি থকা দেখি, অন্তত যমে ক'লে, "বাৰু মই আজি ৰাতি ঘোঁৰা এটা হৈ শাঁখিনাৰ ধানবোৰ খাই পেলাওগৈ।" দেৱতাসকলে যমৰ কথা শুনি "ভাল, ভাল, তাকে কৰক" বুলি সন্তোষ প্ৰকাশ কৰি গুচি গ'ল। কেঁচাই এই কথা শুনি বেগাই উৰি আহি বাপেকক ক'লেহি,—"পিতাই, আজি যম ৰজাই ঘোঁৰাৰ ৰূপ ধৰি আহি আমাৰ ধানবোৰ খাই পেলাব খুজিছে। আপুনি ভঁৰালৰ দুৱাৰখন মেলি থ'ব, আৰু লেকাম এডালেৰে সৈতে চেকনি এডাল লৈ মনে মনে দুৱাৰ চুকত লুকাই থাকিব। যমে ঘোঁৰা হৈ যেতিয়াই ধান খাবলৈ লাগিব, তেতিয়াই আপুনি খপ্‌কৰে ওলাই তাৰ মুখত লেকামডাল লগাই, জাঁপ মাৰি তাৰ পিঠিত উঠি চাপলি মেলিব।"

ৰাতি শাঁখিনাই কেঁচাৰ কথামতে হাতত এচাৰি এডাল আৰু লেকাম এডাল লৈ ভঁৰালৰ দুৱাৰখন

মেলি থৈ দুৱাৰ-চুকতে লুকাই আছিল। জোনাক নিশা। যম ৰজাই বগা ধোঁৱা এটা হৈ ওঁৱালত সোমাই ধানবোৰ চপ্ চপ্ কৰে খাবলৈ ধৰিলে। ইপিনে যমে তৰ্কিব নোৱাৰাকৈয়ে শাঁখিনাই চল চাই লেকামডাল ধোঁৱাটোৰ মুখত খুৱাই লৈ গিৰিস্কৰে পিঠিত উঠি কোবাই দি তাক চেকুৰাবলৈ ধৰিলে। চেকুৰাই চেকুৰাই শাঁখিনাই যমৰ তৰ্ধনি এৰুৱালে। শেহত ধোঁৱাই তৰণি নাপাই শাঁখিনাক ক'লে, "শাঁখিনা, মই ধোঁৱা নহওঁ, যম ৰজা হে। তুমি কি বৰ লাগে লোৱা, লৈ মোক এৰি দিয়া।" যমে বৰ দিবলৈ সইত খালত হে শাঁখিনা যমৰ পিঠিৰপৰা নামিল। তেতিয়া যম ৰজাই নিজ মূৰ্ত্তি ধৰি তাক বৰ দিলে—"তই দীৰ্ঘায়ু হবি, বৰ চহকী হবি; আৰু সুখে-সন্তোষে বহুত বছৰ জীয়াই থাকিবি। আৰু তোক আৰু তোৰ ঘৈণীয়েৰক তহঁতৰ গাঁৱৰ যিবোৰ মানুহে শাঁখিনা শাঁখিনী বুলি এই হাবিত মেলি থৈ গৈছিল, সিহঁতে তোৰ ঘৰত গোলামী কৰিব।"

ইয়াৰ পিছত শাঁখিনা শাঁখিনীয়ে পুতেক ফেঁচা আৰু গাহৰিৰে সৈতে সুখেৰে এশ বছৰ ধনী, বৰ মানুহ হৈ খাই-লৈ আছিল; আৰু সিহঁতক দুখ দিয়া আগৰ গাঁৱৰ মানুহবোৰক সিহঁতে গোলামৰ দৰে ৰাইছিল।

——

পঞ্চদশ সাধু

নাতি।—"ককাদেউতা, আজি সন্ন্যাসী এজন আহি আমাৰ ৰাজহুৱা নামঘৰৰ আগৰ বৰগছজোপাৰ তলতে আছেহি। হেনো সন্ন্যাসীজন বৰ ধৰ্ম্মিষ্ঠ। সংবাদ গৌজাদাৰে তেওঁক সিধা-পাতি দি বৰ ভকতি কৰিছে; আৰু হেনো নি নিজৰ ঘৰতে থ'ব।"

ককা।—"বাহিৰৰ সাজপাৰ দেখি কাকো চিনিব নোৱাৰি মোৰ কুটুম। সন্ন্যাসী ফকিৰক তো নোৱাৰিয়েই। সেইদেখি তেনে লোকক বুজি-বাজি ঘৰত ঠাই দিয়াহে ভাল। এটা সন্ন্যাসীৰ সাধু আছে, কওঁ শুন"—

এক সন্ন্যাসীৰ কথা

এক দেশত এজন গৃহস্থ মানুহ আছিল, তেওঁৰ দুজনী ঘৈণীয়েক। এদিন এজন সন্ন্যাসী আহি গৃহস্থৰ ঘৰত ওলালত গৃহস্থই সন্ন্যাসীক আচল সাধু পুৰুষ ভাবি সেৱা-শুশ্ৰূষা কৰি যত্ন কৰি ৰাখিলে। সন্ন্যাসীও তেওঁৰ ধৰ্ম্মভাব আৰু সাধু আচৰণেৰে গৃহস্থ আৰু দুইজনা ঘৰৰ-ঘৈণীৰ মনত সোমাল। দুইজনা ঘৈণীয়েই সন্ন্যাসীৰ খোৱা-বোৱাৰ সকলোবোৰ কাৰ্য্য নিতৌ নিজহাতে এহাতুৰীয়াকৈ কৰিবলৈ ধৰিলে। সন্ন্যাসীয়েও সেই ঘৰত ইমান আদৰ যত্ন পাই তাতে কিছুদিন থাকিবলৈ ঠিক কৰিলে।

কোনো কাৰ্য্যৰ নিমিত্তে গৃহস্থ এমাহমানলৈ বিদেশলৈ যাবলগীয়া হ'লত সন্ন্যাসীকে তেওঁ সেই ঘৰৰ এক প্ৰকাৰ গৰাকী পাতি, দুইজনী ঘৈণীয়েকক কৈ গ'ল, যেন সিহঁতে সন্ন্যাসীক ভালকৈ যতন কৰি ৰাখে, যাতে সন্ন্যাসীয়ে কোনো বিষয়ত কষ্ট নাপায়, আৰু যেন সিহঁতে সন্ন্যাসীৰ বচন কেতিয়াও নেপেলায়।

গৃহস্থৰ সৰুজনী ঘৈণীয়েকৰ বয়স কম আছিল, আৰু দেখিবলৈকো তাই বৰ শুৱনী আছিল। সেইদেখি শুৱিৰেপৰা সন্ন্যাসীৰ চকু তাইৰ ওপৰত পৰিছিল। এতিয়া গিৰিয়েক ঘৰত নথকাত সন্ন্যাসীয়ে সুবিধা পালে। এদিন অকলশৰীয়াকৈ তাইক সন্ন্যাসীয়ে পাই, তাৰ লগত লৈ গুচি যাবলৈ প্ৰস্তাৱ কৰিলে। তাই সেই কথা শুনি অবাক হৈ সন্ন্যাসীৰ আগত আঁঠু লৈ ক'লে, "প্ৰভু আপুনি আমাৰ গুৰু; এতেকে এনে কথা কিয় কয়? আপুনি ধৰ্ম্মিষ্ঠ সাধু পুৰুষ, আপোনাৰ মুখত এনেকুৱা কথা শুৱায় নে?"

এই কথা শুনি সন্ন্যাসীয়ে ধৰা পৰিবৰ ভয়ত থিতাতে সুৰ সলাই পেলাই ক'লে, "মই তোমাক পৰীক্ষা হে কৰিছিলোঁ; তুমি কেতিয়াও তেনে নাভাবিবা।"

পিছদিনা সন্ন্যাসীয়ে আন এটা বুধি উলিয়াই সৰু গৃহস্থনীক ক'লে, "গোসাঁনী পূজালৈ মোক মৰিশালিৰ মাটি অলপ লগা হৈছে। সেই মাটি ভকতীয়া তিৰোতাই মাজ নিশা কানি-কাপোৰ থৈ মৰিশালিলৈ গৈ আনিব লাগে, আনে আনিলে নচলে, এতেকে এই কাম তুমি নকৰিলে আৰু আনে কৰোঁতা নাই।" সন্ন্যাসীৰ কথা শুনি তাইৰ যদিও ভয় লাগিছিল আৰু খং উঠিছিল, তথাপি গিৰিয়েকে সন্ন্যাসীৰ হুকুম মানিবলৈ পৈ-পৈকৈ কৈ-যোৱা কথা তাই মনত পেলাই সেইদৰে মৰিশালিৰপৰা মাটি আনিবলৈ গাত লৈ আনি দিলে। দিনো এইদৰে সন্ন্যাসীৰ কথামতে তাই মৰিশালিৰ মাটি আনি দি আছিল। এনেতে গিৰিয়েক উভতি আহিল।

গধূলি গিৰিয়েকৰ সৈতে সন্ন্যাসীয়ে কথা-বাৰ্ত্তা পাতোঁতে, সন্ন্যাসীয়ে বিশ্বাসে গিৰিয়েকক ক'লে যে তেওঁৰ সৰুজনী ঘৈণীয়েক প্ৰেতিনী। সদায় তাই ৰাতি দুপৰত মৰিশালিলৈ গৈ কাপোৰ-কানি সোলোকাই থৈ নাচি-বাগি তাত মাটি খানি থাকে। সন্ন্যাসীৰ কথা শুনি গিৰিয়েকে অতি আচৰিত মানি সুধিলে, "আপুনি এই কথা সঁচাকৈয়ে কৈছে নে?" সন্ন্যাসীয়ে উত্তৰ দিলে, "থাক এতিয়া আপুনি মনে মনে থাকক, আজি ৰাতি দুপৰত মই আপোনাক দেখুৱাই দিম, আপুনি নিজ চকুৰেই দেখিব।"

ৰাতি দুপৰৰ আগেয়েই সন্ন্যাসীয়ে গৃহস্থক লগত লৈ মৰিশালিৰ এচুকত মনে মনে লুকাই আছিল। এনেতে সৰু ঘৈণীয়েকে আগৰ দৰে তাৰপৰা মাটি খানি লৈ আহিলগৈ; আৰু সেই কাম গিৰিয়েকে নিজ চকুৰেই দেখিলে। গিৰিয়েকে সন্ন্যাসীক ক'লে, "মই তো এই আচৰিত কাণ্ড দেখিলোঁ; এতিয়া তাইক কাটি পেলাম নে কি কৰিম?" সন্ন্যাসীয়ে উত্তৰ দিলে, "এইক কাটি মাৰি পেলোৱাতকৈ এখন নাৱত তুলি এইৰ হাত-ভৰি বান্ধি দি উটাই দিয়া, তাতে তাই লেকাট ভুঞ্জি মৰক। তুমি কাটিলে ৰজাৰ ঘৰৰপৰা জগৰ লাগিব, আৰু সকলোৱে তোমাক দুষিব।"

সন্ন্যাসীৰ কথা শুনি গিৰিয়েকে তাকে কৰিবলৈ থিৰ কৰি বৰ ঘৈণীয়েকক সেই কথা ক'লে। সতিনীৰ সতিনী-কথা; বৰ ঘৈণীয়েকে "এতিয়াই, এতিয়াই এই অমঙ্গলটো ঘৰৰপৰা দূৰ কৰক, আৰু মুখলৈ চাব নেলাগে," বুলি গিৰিয়েকক উচটাই দিলে।

গিৰিয়েকে সন্ন্যাসীৰ কথামতেই সৰুজনী ঘৈণীয়েকক নাও এখনত তুলি, তাইৰ হাত-ভৰি বান্ধি, চৈৰে ঢাকি নৈত উটাই দিলে। তাই কত কান্দিলে, কত কাকুতি-মিনতি কৰিলে, কিন্তু সেই-বোৰলৈ সি কাণ নকৰি—"তই পিশাচনী, তোৰ স্বভাৱ মই আজি নিজ চকুৰেই দেখিলোঁ, তোক আৰু মই কি সুধিম।" এই বুলি ক'লে। পিছদিনা সন্ন্যাসীয়ে তীৰ্থ কৰিবলৈ যাওঁ বুলি গৃহস্থৰপৰা বিদায় লৈ গুচি গ'ল। সন্ন্যাসীয়ে বাট পোনাই গৈ নদীৰ ভাটী ফালে দুদিনমানৰ বাটত তাৰ মঠত বাট চাই আছে যেন সেই নাও আহিলেই সি ধৰি তাইক লৈ যাব পাৰে।

ঈশ্বৰ ইচ্ছাত নাওখন উটি গৈ এক ৰজাৰ ঘাটৰ ওচৰ পালেগৈ। দৈৱাৎ সেই দিনা সেই সময়ত ৰজাইও মৃগয়াৰপৰা উভতি আহি সেই ঘাট পাইছিলহি। সেই দিনা চিকাৰত ৰজাই গছ নাপাই এটা বুঢ়া ভালুক পাই ধৰি আনিছিল। ৰজাই নাওখন উটি অহা দেখি তাত কি আছে চাবলৈ বুলি ধৰাই আনি তাৰ চৈ গুচাই দেখিলে যে তাত দীপলিপ্ত তিৰুতা এজনী আছে। তিৰুতাজনীৰ বান্ধ-চাট মেলি দি তাইক সুধিলত, তাই সকলো বৃত্তান্ত ভাঙি ৰজাক ক'লে। তেতিয়া ৰজাই সন্ন্যাসীৰ ফাঁকি বুজিব পাৰি তাইক নাৱৰপৰা তুলি আনি, নাৱত সেই ভালুকটো সুমাই দি আগৰ দৰে চৈৰে ঢাকি নাওখন উটাই দিলে; আৰু তাইক নিজৰ ঘৰলৈ লৈ গৈ বিয়া কৰাই মৰমৰ কুঁৱৰী কৰি ৰাখিলে।

ইফালে নাওখন উটি গৈ সন্ন্যাসীৰ মঠৰ ঘাটৰ ওচৰ পালতে সন্ন্যাসীয়ে আনন্দত উত্ৰাৱল হৈ নাওখন ধৰি আনি হেঁপাহৰ বস্তুটি পালোঁ বুলি চৈ দাঙিলতে তাৰ তলৰপৰা ভালুকটো ওলাই তাক খাই পেলালে।

——

ষোড়শ সাধু

ককা।—"আজি অধ্যাপকে কৈছিল তই
হেনো ভালকৈ পঢ়া-শুনা কৰিছ।
মই শুনি বৰ সন্তোষ পাইছোঁ।
আহ আজি এটা দীঘল সাধু কওঁ।"—

এটা বুঢ়া আৰু পাঁচ পুতেক

এটা বুঢ়া আৰু তাৰ পাঁচোটা পুতেক আছিল। বুঢ়াই চাৰি পুতেকলৈ চাৰিজনী বোৱাৰী আনিছিল; মাত্ৰ নুমলীয়াটো হে বাকী আছিল।

এদিন কেণকেণীয়া বৰষুণীয়া বতৰত বুঢ়াই পুতেকহঁতক সুধিলে, "বোপাহঁত ঐ, আজি কি কৰিবৰ দিন?" বৰটো পুতেকে উত্তৰ দিলে—"পিতাই, আজি ভালকৈ কাপোৰ-কানি লৈ উম লগাই শুই থাকিবৰ দিন।" মাজুটোৱে উত্তৰ দিলে,—"আজি খৰাহি-পাচি সাজিবৰ দিন।" বৰ-মাজুটোৱে ক'লে—"আজি পোৱা মাছে পঁইতা ভাতে খাবৰ দিন।" সৰুটোৱে ক'লে, "আজি হালোৱা-গাঁতি মাৰি পথাৰত হাল বাবৰ দিন।" এটাইকেইটাতকৈ সৰু নুমলীয়াটোৱে ক'লে—"পিতাই, আজি ভালকৈ এঠাইত কঠ পাৰি বহি লেখা-পঢ়া কৰিবৰ দিন।" পুতেকহঁতৰ কথা শুনি বাপেকে বিচিকীয়া, হাঁহি মাৰি একো নকৈ মনে মনে থাকিল। কিন্তু নুমলীয়া ভায়েকৰ উত্তৰটো শুনি

চাবিওটা ককায়েকে গোব্‌গোবাবলৈ ধৰিলে। সিহঁতে ভাবিলে "হঃ! ই লেখা-পঢ়া কৰি পণ্ডিত হৈ আমাতকৈ ডাঙৰ মানুহ হৈ থাকবলৈ ওলাইছে। আমি হালোৱা-চহা হৈ থাকিম, আৰু ই বৰ মানুহ হৈ আমাক গোলাম কৰি থাব।" নুমলীয়া ল'ৰাটো স্বভাৱতে অলপ চোকা বুদ্ধিৰ আছিল দেখি বুঢ়াইও তাক আনকেইটাতকৈ অলপ সৰহকৈ মৰম কৰিছিল। সেইবাবে ককায়েকহঁতে তাক সমূলি দেখিব নোৱাৰিছিল। গতিকে, সিহঁতে সেই থিহমনাৰ পুলিটো সকতে উভালি পেলাই আপদৰ হাত সাৰিবৰ মন কৰিলে। এদিন চাবিউটাই আলচি থিৰ কৰিলে, যে কোনোমতে ছল-বুধি কৰি সিহঁতে নুমলীয়া ভায়েকক মাৰি পেলাব। কিন্তু নুমলীয়া দেওৰ বৰ-বোৱেকৰ বৰ মৰমৰ পাত্ৰ আছিল; সেইদেখি বোৱেকে কেনেবাকৈ এই আলচৰ গম পাই, নুমলীয়া দেওৰেকক মনে মনে সাৱধান কৰি দি, সোনকালে সেই ঘৰৰপৰা পলাই গুচি যাবলৈ ক'লে।

এদিন নুমলীয়াই থাবীত সোমাই পাণ পাৰিবলৈ বুলি পাণ থগোৱা তামোলৰ গছত উঠক। বাৰী-চুকৰ আওহতীয়া ঠাইত সেইদৰে নুমলীয়া ভায়েকক অকলৈ দেখি ককায়েকহঁতে তাতে তাক ধৰিবৰ মনেৰে হাতত কপি-দা এখন লৈ তামোলৰ গছৰ তলত থিয় দিলেগৈ। ককায়েকহঁতৰ গতি দেখি গছৰ ওপৰত পাণ পাৰি থকা ভায়েকে সিহঁতৰ কু-মতলবৰ কথা বুজিব পাৰি ওপৰৰপৰা মাত লগালে— "ককাইটিহঁত, তহঁত আহিলি ভালেই হ'ল; মই বিচিয়াই মাতোহে বুলিছিলোঁ। পাণজোপাৰ এইখিনিতে আমৰলি পকম্বাৰ বাহ এটা আছে; পাণ পাৰিবই নোৱাৰি। মোক দাখন দেচোন, বাহটো কাটি তললৈ সৰাই দিওঁ।" সিহঁতে তাৰ টেঙৰালি কথাৰ আচল মানে বুজিব নোৱাৰি, বাঁহ এডালৰ মূৰত দাখনেৰে খপিয়াই খোচ মাৰি দাখন তাতে লগাই ওপৰলৈ তুলি ভায়েকক দিলে। দাখন পায়েই ভায়েকে মিছামিছিকৈ আমবলিৰ বাহ আঁতোৰাৰ ছল কৰি খপ্‌কৰে তামোল জোপাৰপৰা পিছলি মাটিত পৰিয়েই খপ্ খপ্ কৰে ককায়েক-হঁতৰ মূৰকেইটা কাটি পেলালে।

সি এই কাম কৰি আঁতাই ঘৰলৈ নগৈ, চাৰি ককায়েকৰ মূৰ চাৰিটা তাৰ গাৰ পানী-গামোছা-খনেৰে টোপোলা বান্ধি লৈ গাৰি চাৰিটা তাতে এৰি থৈ বিদেশলৈ গুচি গ'ল। বাওঁতে বাওঁতে বাটতে গধূলি হ'লত, ওচৰতে কুঁহিয়াৰণি এখনৰ মাজত চকি এখন দেখি তাতে থাকি ৰাতিটো কটাবৰ মনেৰে উঠি থাকিল। চকিত উঠিয়েই সি মূৰ চাৰিটা চকিৰ চাৰিফালে আঁৰি থৈ বহি থাকি কিছুমান বেলিৰ মূৰত কলমুটিয়াবলৈ ধৰিলে।

এনেতে পথাৰৰ মাজৰ হোলা এটাৰপৰা দ'ত এটা ওলাই আহি চকিৰ ওচৰত থিয় হৈ তাক মাত লগালে— "হেৰা মানুহটো, তই আঁৰি থোৱা সেই মূৰ এটা মোক খাবলৈ দিব পাৰ নে?" ৰাতি দুপৰত কাৰোবাৰ মাত শুনি নুমলীয়াই চক্‌মক্‌কৈ উঠি চকু মেলি দেখিলে যে দীঘল দীঘল ঠেং আৰু দীঘল দীঘল হাতেৰে দঁতুৱা দ'ত এটাই আগতে থিয় হৈ তাক কিবা কৈছে; আৰু দ'তটো ইমান ওখ যে চকিৰে সৈতে তাৰ মূৰটো প্ৰায় সমান হৈ পৰিছে। ভয়ত নুমলীয়া অৱধাৰে থামিবলৈ ধৰিলে। কিন্তু তত্তালিকে সি মনটো ডাঠ কৰি ভয়টো লুকাই থৈ দ'তলৈ চাই কেৰ্কৰীয়া মাতেৰে সুধিলে— "তোক কি লাগে অ'? বেগাই ক। মোৰ আজৰি নাই।" দ'তে নুমলীয়াৰ কথাৰ ভৰক দেখি কোঁচৰাই উত্তৰ দিলে— "আপোনাৰ ওচৰত সেই মূৰ এটি মাগি নিবলৈ বুলি আহিছোঁ। আজি ভালেমান দিন মানুহৰ মূৰ খাবলৈ পোৱা নাই; ইয়াত আজি মূৰ কেইটা আঁৰি থোৱা দেখি মোৰ বৰ খাবৰ মন গৈছে; আপুনি কৃপা কৰিলেই জানিবা মনৰ হেঁপাহ পলায়।" নুমলীয়াই মাত লগালে— "তোক মূৰ এটা দিলে তই মোক কি দিবি? মুখৰ শুদা কথাতে তো আৰু মূৰ পোৱা নেযায়।" দ'তে ক'লে, "মোৰ কি আছে কি দিম? মোৰ কঁকালতে এই জোলোঙাটো আছে; তাকে লাগে যদি নিয়ক।" নুমলীয়াই ক'লে, "হেৰ জোলাঙাটো লৈ মই কি কৰিম? তাৰে মোৰ কি উপকাৰ হব?" দ'তে ক'লে, "এই জোলোঙা-টোত আপুনি যতবাৰ হাত ভৰাব ততবাৰ এমুঠি এমুঠি ৰূপ পাব। হোৰ'ক ধৰক আপুনি জোলোঙাটো আৰু তাত আপোনাৰ হাতখন ভৰাই এতিয়াই প্ৰমাণ চাওক।" এই বুলি দ'তে তাৰ জোলোঙাটো নুমলীয়াক দিলে। নুমলীয়াই জোলোঙাটো লৈ তাত হাত ভৰালতে তাৰ হাতৰ মুঠিত এমুঠি ৰূপ উঠিল। দেখি নুমলীয়াৰ মনত মহা ৰং। তেতিয়াই সি মূৰ চাৰিটাৰ এটা দ'তক দি দিলে; আৰু দ'তে ৰং মনেৰে মূৰটো লৈ গুচি গ'ল।

ইয়াৰ অলপ পৰ পিচতে নুমলীয়াৰ চিলমিলকৈ অলপ টোপনি আহিছে মাথোন, এনেতে আকৌ কিবা এটা মাত তাৰ কাণত পৰিল, সি চক্‌খাই উঠিল। সি চকু মেলি দেখিলে,—দীঘল নাক আৰু দীঘল চুলিৰে কদাকাৰ ভূত এটা তাৰ আগতে থিয় হৈ আছে। কি লাগে বুলি সি ভূতটোক সুধিলত, ভূতে গেনা মাতেৰে ক'লে, "কঁকাই মোক মূৰ এটি খাবলৈ দিয়া।" নুমলীয়াই ক'লে, "মূৰ দিলে তই মোক কি দিবি ক, তেহে দিব পাৰোঁ।" ভূতে ক'লে, "মোৰ হাতৰ এই টোকোনডাল দিম।"

"টোকোনডালৰ উপকাৰ কি ?" বুলি নুমলীয়াই সুধিলত ভূতে ক'লে, "যাঁকে তোঁমাৰ মাৰিবৰ মন যাঁয়, তাঁকে মাৰিবলৈ এঁই টোকোন ডাঁলক ক'লে টোঁকোনডাঁলে তাঁকে মাৰিবগৈ।" এই কথা শুনি নুমলীয়াই তাৰ মূৰ এটা দি ভূতৰ টোকোনডাল ল'লে।

এই ঘটনাৰপৰা এখনমান তামোল খোৱাৰ পিছত কুটকুৰা চুলি, চলাচল বগা দাঁত, জুই-আঙনি যেন ৰঙা চকু আৰু গেমেৰা ওঁঠেৰে যখ এটাই আহি নুমলীয়াক মূৰ এটা খাবলৈ খুজিলত, নুমলীয়াই মাত লগালে, "তোক মূৰ দিলে তই মোক কি দিবি?" যখে উত্তৰ দিলে, "মোৰ হাতৰ এই জৰীডাল দিম।" "জৰীডালৰ গুণ কি ?" বুলি সি সুধিলত যখে ক'লে, "এই জৰীডালক পাচিলে, যাকে বান্ধি আনিবলৈ কবা তাকে সি বান্ধি আনিবগৈ।" এই কথা শুনি নুমলীয়াই মূৰ এটা দি জৰীডাল ললে।

মূৰটো লৈ যখটো গুচি গ'লত নুমলীয়াই নানা কথা ভাবি গুৰ নোৱাৰি হাচটিখন মেলি তামোল-পাণ উলিয়াই কাটি তামোল এখন মুখত দিছে মাথোন, এনেতে পথাৰৰ সিমূৰে ডাঙৰ আমগছ এজোপাত থকা বুদ্ধদৈত্য এটাই বেঙা মেলি আহি টঙিৰ ওচৰত থিয় দিলেহি। দৈত্যটোৰ আকৃতি দেখি নুমলীয়াৰ মাত হৰিল। তথাপি মনটো ডাঠ কৰি লৈ সি মাত লগালে, "তই কোন ? কি লাগে ?" সি উত্তৰ দিলে—"মই বৰহম দইত। সৌ আমগছ জোপাতে মই থাকোঁ। মই তাৰপৰা দেখি আছিলোঁ তুমি তোমাৰ চাৰিটা মূৰৰ তিনিটা খিলালা। বাকীটো মোক নিদিয়াঁ নো কিয় ? কিবা বোলেনে আজি মোৰ মুখখন কেটেঁপাকেটেপ লাগি আছে, তাৰেই মুহূৰ্দিটো কৰি মুখখন ফৰ্কৰীয়া কৰি লওঁ বুলি ভাৰিছোঁ।" নুমলীয়াই সুধিলে, "মই তোক মূৰটো দিলে, তই মোক কি দিবি ? সিহঁত কেইটাই একোটা বস্তুৰে মূৰৰ খেচ দি হে মূৰ নিছে।" বুদ্ধদৈত্যই ক'লে, "সেইটো মই জানো; দেখি আছোঁ। সেইদেখি মই পিন্ধি থকা মোৰ এই ভৰিৰ খৰমজোৰকে তোমাক দিবলৈ বুলি আনিছোঁ।" "খৰমজোৰৰপৰা মোৰ কি উপকাৰ হব ?" বুলি নুমলীয়াই তাক সুধিলত সি ক'লে, "এইজোৰ পিন্ধি তাক তুমি যলৈকে যাবলৈ তোমাক লৈ যাবলৈ কবা তলৈকে চকুৰ পচাৰতে সেইজোৰে তোমাক লৈ যাব।" এই কথা শুনি নুমলীয়াই খৰমজোৰ লৈ মূৰটো দিলত বুদ্ধদৈত্য গুচি গ'ল।

এনেতে ৰাতি পুৱাল। নুমলীয়াই হাতত টোকোন আৰু জৰী আৰু কঁকালত জোলোঙাটো ওলমাই লৈ, খৰমজোৰ পিন্ধি, খৰমক ক'লে, "খৰম ঔ খৰম। মোক লৈ এতিয়াই অৱন্তি নগৰলৈ যা।" চকুৰ পচাৰতে খৰমে নুমলীয়াক অৱন্তি নগৰত উলিয়াই দিলেগৈ।

অৱন্তিত মহা হুলস্থূল। তাত এটা সিংহই মানুহ গৰু মাৰি খাব্বাং কৰিছে; ৰজা আৰু প্ৰজাই অনেক পুৰুষাৰ্থ কৰিও সিংহটো মাৰিব পৰা নাই। নুমলীয়াই সেই খবৰ শুনি ৰজাৰ ওচৰলৈ গৈ ৰজাক ক'লে, "সৰ্গদেৱ, মই চিকাৰী মানুহ।" ৰজাই ক'লে, "তই যদি চিকাৰী, তেন্তে মোৰ দেশ উৎখাত কৰা সিংহটো মাৰি দে।" নুমলীয়াই মাৰিব পাৰিম বুলি গাত ল'লত, ৰজাই ক'লে, "যদি নোৱাৰ, তেন্তে মোৰ আগত মিছা কথা কোৱা খাবে তোক শূলত দিম।" নুমলীয়াই উত্তৰ দিলে, "দিব সৰ্গদেৱ; কিন্তু যদি মাৰিব পাৰোঁ তেন্তে মই যিহকে খোজোঁ তাকে মোক দিব লাগিব।" ৰজাই দিম বুলি অঙ্গীকাৰ কৰিলত, নুমলীয়াই নগৰৰ মাজৰ ডাঙৰ পথাৰ এখনৰ মাজলৈ গৈ, জৰীডালক ক'লে, "জৰী, তই সিংহটো বান্ধি এতিয়াই মোৰ আগলৈ লৈ আহগৈ।" হুকুম পোৱা মাত্ৰকতে জৰীয়ে হাবিলৈ গৈ সিংহটো বান্ধি আনি নুমলীয়াৰ আগত পেলাই দিলেহি। তেতিয়া নুমলীয়াই টোকোনক হুকুম দি সিংহটো মৰিয়াই মাৰি ৰজাৰ ওচৰলৈ লৈ আহিল। ৰজা আৰু সভাসদসকলে চিকাৰীৰ এই কাৰ্য্য দেখি সন্তোষ পাই তাক শলাগিবলৈ ধৰিলে।

ইয়াৰ পিছত নুমলীয়াই ৰজাৰ আগত আঁঠু লৈ ক'লে, "সৰ্গদেৱ, এতিয়া সৰ্গদেৱে পূৰ্ব্বৰ অঙ্গীকাৰ সুঁৱৰি বন্দীলৈ বাঁটাৰ হুকুম কৰক।" ৰজাই ক'লে, "নিশ্চয়, নিশ্চয়, তোমাক কি লাগে কোৱাঁ ?" নুমলীয়াই ক'লে, "সৰ্গদেৱে মোক নিজৰ জোঁৱাই কৰিবৰ আজ্ঞা হওক।" এই কথা শুনি ৰজাৰ মূৰত আকাশীসৰগ ভাগি পৰিল। কিন্তু ৰজাই অঙ্গীকাৰ কৰি থৈছে, ভাঙে কেনেকৈ ? সেইদেখি অনেক ভাবি-চিন্তি নিৰুপায় হৈ আৰে সৈতে নিজৰ জীয়েৰক ৰজাই বিয়া দি তাক ঘৰ-জোঁৱাই কৰি ৰাখিলে।

নুমলীয়া হালোৱা চহা মানুহ; ৰজাৰ জীয়ৰীৰ চলন-ফুৰণেৰে সৈতে মিলাই সি চলিব নোৱাৰে; সেই দেখি প্ৰতি কথাতে ঘৈণীয়েকে তাক হাঁহে। আতে এদিন সি বৰ লাজ পাই খং কৰি ঘৰৰপৰা ওলাই গুচি গ'ল। খৰমে তাক এখন অটব্য অৰণ্যৰ ভিতৰত উলিয়াই দিলেগৈ। দুপৰীয়া ৰ'দত তাৰ বৰ পিয়াহ লাগিছিল, সেইদেখি সি পানী বিচাৰি এখন সৰোবৰৰ পাৰত ওলালহি। সৰোবৰৰ পানী-খোৰ স্ফটিকৰ ধাৰ যেন নিৰ্ম্মল। ভেট আৰু পদুম ফুলেৰে সৰোবৰখন জকমকীয়া। ৰাজহাঁহ, পানী-

হাঁহ, বিলাহাঁহ, শৰালী, বগলী, ডাউক, কোঁচা আদি চৰাইয়ে তাত ৰংমনেৰে সাঁতুৰি ফুৰিছে দেখি তাৰ মনটো বৰ বৰকাল লাগিল। সি নামি গৈ একাঞ্জলি পানী খাই উঠি দেখিলে যে পাৰতে আঁহত গছ এজোপাৰ তলতে জুপুৰিঘৰ এটা আছে। এখোজ দোখোজকৈ সি তাৰ ওচৰ চাপি গৈ দেখিলে যে তাত কোনো নাই ; মাথোন এখন জুহালত ডোখোৰা-খৰিৰ এজাৰ ছাইৰে সৈতে পৰি আছে। সি দেখি-য়েই বুজিলে যে সেইটো কোনোবা সন্ন্যাসী ফকিৰৰ জুপুৰি। কিছুমান পৰ তাতে থাকি সন্ন্যাসীক আহিবৰ নেদেখি সি ঘৰটো সাৰি মচি চিকুণাই ওচৰৰে গছ এজোপাৰ আঁৰত লুকাই ৰহি থাকিল। গধূলি বেলিকা সন্ন্যাসীজন আহি ওলাল। তেওঁ দেখিলে যে তেওঁৰ ঘৰটো কোনোবাই সাৰি মচি জকজকীয়া কৰি থৈছে তাকে দেখি সন্ন্যাসীয়ে মাত লগালে, "মোৰ ঘৰটো কোনে এঁতাই-পিটাই থৈছে ? কোন ক'ত আছ ওলাই আহ, একো ভয় নাই।" ইয়াকে শুনি নুমলীয়া গছৰ আঁৰৰপৰা ওলাই আহি সন্ন্যাসীৰ ভৰিত দীঘল দি পৰিলত, সন্ন্যাসীয়ে তাক আশীৰ্ব্বাদ কৰি বহিবলৈ কৈ, তাৰ মুখৰপৰা তাৰ সকলো বৃত্তান্ত শুনি ক'লে "বোপা, তই কোনো চিন্তা নকৰিবি ; মোৰ এই আশ্ৰমতে তই নিৰ্বিঘিনিয়ে থাকি মোৰ সেৱা-শুশ্ৰূষা কৰি থাক, তোৰ ভাল হব। কিন্তু এটা কথা তোক কৈ থওঁ— এই সৰোবৰৰ পুব-ঘাটলৈ তই কেতিয়াও নাযাবি ; সেই ঘাটত স্বৰ্গৰ অপেশ্বৰীসকলে গা ধোৱেহি।"

পিছদিনা পুৱাই সন্ন্যাসীয়ে তেওঁৰ ন আলধৰাক আশ্ৰমৰ ৰখীয়া কৰি কৰবালৈ গুচি গ'ল। সন্ন্যাসী গ'লতে নুমলীয়াই সেই সৰোবৰৰ পুব-ঘাটলৈ গৈ মনে মনে পাৰৰে জোপা এটাত লুকাই থাকিল। অলপৰ পিছতে সাতজনী অপেশ্বৰী তালৈ আহিলত সি লাহেকৈ জোপাৰ ভিতৰৰপৰা ওলাই তেওঁলোকৰ ঠেকত পেলাই, অপেশ্বৰীসকলৰ এজনীক তাক বিয়া কৰাবলৈ সৈ কৰালে। ইয়াৰ পিছত নুমলীয়াৰ লগতে অপেশ্বৰীসকলে ভনীয়েক এজনীক এৰি স্বৰ্গলৈ গুচি গ'ল।

অপেশ্বৰী বৈণীয়েকক লগত লৈ নুমলীয়াই খৰমত উঠি ভজানিকে তাৰ শহুৰেক-ৰজাৰ ঘৰ ওলালহি। ৰজাই জোঁৱায়েকক দেখি বং পালে। তাৰ আগৰ বৈণীয়েক ৰজাৰ জীয়েকে তাৰ কেবাম-ভালি দেখি, নিজৰ দোষৰ বাবে পিৰিয়েকৰ ওচৰত ক্ষমা মাগি সতিনীয়েকেৰে সৈতে একেলগে সুখেৰে খাই-বৈ থাকিবলৈ ধৰিলে। ইয়াৰ দিনচেৰেকৰ পিছতে অপুত্ৰক ৰজা মৰিল। শহুৰেক মৰিলত নুমলীয়াই সেই ৰাজ্যৰ ৰজা হ'ল। সি ৰজা হৈয়েই তাৰ বাপেক থকা ৰাজ্যৰ ৰজাৰ ওচৰলৈ কটকী পঠিয়াই কোৱাই পঠিয়ালে, যে "হয় ৰজাই তাক ৰাজ্য এৰি দিয়ক, নহয় যুদ্ধ দিয়ক।" কটকীৰ কথা শুনি ৰজা ঘৃতাহুতি হৈ যুঁজ দিবলৈ সাজু হ'ল। নুমলীয়া ৰজাইও দা-লগুৱা, ঘোৰা-হাতী, বৰুৱা-খনুৱা লগত লৈ সাজি-পাৰি যুঁজ কৰিবলৈ আগবাঢ়ি গ'ল। দুই দলৰ ভিতৰত যুঁজ লাগি গোটেইখন কোৰাঁমোৱা লাগি পৰিল। শেহত নুমলীয়া ৰজাই জৰীক পঠিয়াই দি সেই ৰজাক কটাথাৰ দি ধৰাই অনাই টোকোনক মাৰিবলৈ হুকুম দিলত, ৰজাই দাঁতত কুটা লৈ দীঘল দি নুমলীয়া ৰজাৰ ভৰিত পৰি ক্ষমা মাগিলে। তেতিয়া নুমলীয়াই সন্তুষ্ট হৈ ৰজাক নামাৰি সপৰিয়াৰে সেই ৰাজ্যৰপৰা উলিয়াই দিলে। তাৰ পিছত নুমলীয়াই বুঢ়া বাপেকক বিচৰাই অনালে। বাপেক ওচৰ পালতে নুমলীয়াই ক'লে, "আপুনি মোক চিনি পাইছে নে ?" বাপেকে নুমলীয়াৰ মুখলৈ কিছুমান বেলি ৰ-লাগি চাই থাকি ক'লে "সৰ্ব্বদেও, চিনো চিনো যেন লাগিছে, কিন্তু ক'লে কটা যাম।" নুমলীয়াই ক'লে, "কোনো ভয় নাই নিৰ্ভয়ে কোৱঁা।" বাপেকে ক'লে, "সকদেওক মোৰ নুমলীয়া পোটো যেন দেখিছোঁ।" এই কথা শুনি নুমলীয়াই বাপেকৰ ভৰিত পৰি সেৱা কৰি আগৰপৰা গুৰিলৈকে সকলো কথা ভাঙি ক'লত বুঢ়াৰ চকুৰপৰা আনন্দৰ লো বৰলৈ ধৰিলে।

ইয়াৰ পিছত নুমলীয়াই বাপেকক সেই ৰাজ্যৰে ৰজা পাতি নিজৰ ৰাজ্যলৈ উভতি আহিল আৰু দুইজনী কুঁৱৰীৰে সৈতে গৃহবাস কৰি মহাসুখে ৰাজ্য ভোগ কৰি থাকিল। মোৰ কাপোৰ-কানি ক'লা হ'ল, গুচি আহিলোঁ।

সপ্তদশ সাধু

ককা।—"মোৰ বাপুকণ ঔ ?"
নাতি।—"ককাদেউতা, কি ?"
ককা।—"আজি এটা বাকসৰ সাধু শুনিবি নে ?"
নাতি।—"শুনিম শুনিম, কোৱা ককা-দেউতা কোৱা।"
ককা।—"ভয় নেখাবি তো ?"
নাতি।—"নাখাওঁ ককা-দেউতা কোৱা।"
ককা।—"শুন তেন্তে" বুলি ককাই আৰম্ভ কৰিলে,—

বাকল পণ্ডিত

এহাল বুঢ়া-বুঢ়ী আছিল। সিঁহতৰ ঘৰত ধন-সম্পত্তি আছিল, কিন্তু ল'ৰা-ছোৱালী নাছিল। সেইদেখি সিঁহতৰ মনত বৰ দুখ। ওজাবিলা-ধাতি

এটা ৰাক্ষসে পণ্ডিতৰ ভেশ ধৰি সেই বুঢ়া-বুঢ়ীৰ ঘৰত ওলালহি। বুঢ়াই পণ্ডিতক বহিবলৈ ভুখৰি-পীৰা এখন দি বহুৱালে। বুঢ়াৰ ল'ৰা-ছোৱালী নোহোৱাৰ কথা শুনি পণ্ডিতে গণিবলৈ ধৰিলে। ভালেখিনি পৰ সি গণি-পঢ়ি ক'লে যে, তেওঁক বুঢ়াই এটা দমৰা গৰু দান কৰিলেই বুঢ়াৰ বাঁজা ল'ৰা হব, আৰু তাৰে বৰ ল'ৰাটো সিহঁতে তেওঁক দিব লাগিব। পণ্ডিতৰ কথা শুনি হৰ্ষ-বিষাদ দুইকো লভি পণ্ডিতক দমৰা গৰু এটা দিলে আৰু উপজিলে বৰ ল'ৰাটো দিবলৈ সইত খাই সৈ কাঢ়িলে। পণ্ডিত ৰাক্ষসে দমৰা গৰুটো লৈ গুচি গৈ তাৰ ঘৰ পাই পেট ভৰাই খালে।

ইয়াৰ এবছৰৰ মূৰত বুঢ়ীৰ বাঁজা ল'ৰা দুটা উপজিল। ল'ৰা দুটা ডাঙৰ হ'লত চহকী বুঢ়াই অনেক ধন ভাঙি দুইকো লেখা-পঢ়া শিকোৱালে। লেখা-পঢ়াৰ লগে লগে সিহঁতে কাঁড়, ধনু, যাঠি, জোং আদি ধৰিবলৈকো শিকিলে আৰু অলপ কালৰ ভিতৰতে সেই বিদ্যাতো সিহঁত পৈৰ্ণত হৈ উঠিল। সৰু ল'ৰাটোৱে সেইবোৰ বিদ্যাৰ উপৰিও ৰাক্ষসী বিদ্যাও শিকিলে।

দুইটা ল'ৰা ডাঙৰ-দীঘল হ'ল। এদিন সেই পণ্ডিত বুঢ়া-বুঢ়ীৰ ঘৰলৈ আহি বৰল'ৰাটো খোজাত বুঢ়া-বুঢ়ীয়ে আগৰ কথা সুঁৱৰি অগত্যা তেওঁক ল'ৰাটো দিলে। পণ্ডিতৰ লগত ল'ৰাটো যাবৰ সময়ত সি ভায়েকক কৈ গ'ল, যে "মই এজোপা তুলসী গছ ৰুই থৈছো। তই যেতিয়া দেখিবি যে সেই তুলসী-জোপাৰ পাতবোৰ জঁয় পৰি মৰি গৈছে তেতিয়াই বুজিবি যে মই মৰিলোঁ।" ইয়াকে ভায়েকক কৈ সি পণ্ডিতৰ লগত গুচি গ'ল।

পণ্ডিতে ল'ৰাটো লগত লৈ গৈ গৈ এখন মহা অৰণ্য পালেগৈ। সেই অৰণ্যৰ ভিতৰতে সেই পণ্ডিত ৰাক্ষসৰ ঘৰ। তাৰ ঘৰ পাবলৈ অলপমান বাট থাকোঁতেই, পণ্ডিতে লৰাটোক এজোপা বৰ গছৰ তলত বহুৱাই থৈ ক'লে, "বোপা তুমি এই-খিনিতে অলপ বহি জিৰোৱাঁ, ওচৰতে মোৰ এটা কাম আছে, মই সাউৎকৰে সেইটো কৰি আহোঁ।" এই বুলি ৰাক্ষস গ'লতে ল'ৰাটোৱে কি কথা কি বত্তৰা বুলি উৰাদিহ লবলৈ, পণ্ডিতে নেদেখাকৈ তাৰ পাছে পাছে গ'ল। কিছুমান দূৰ গৈয়েই ল'ৰাটোৱে কিছুমান মানুহ, গৰু আৰু ঘোঁৰাৰ হাড়-মূৰ দেখিবলৈ পালে। সেইবোৰ দেখি তাৰ মনত সন্দেহ হ'ল, যে কথা কিবাহে; পণ্ডিত মানুহ নহয়, ৰাক্ষসহে। তেতিয়া সি ভয়ত ঠক্‌ঠক্‌কৈ কৰে কঁপিবলৈ ধৰিলে। এনেতে মৰা মানুহৰ মূৰবিলাকে ল'ৰাটোক মাত লগালে—

"ক'ৰ মানুহ ক'লৈ আহিছ?" ল'ৰাটোৱে আচৰিত হৈ মূৰবোৰৰ ফালে চাই থাকিলত, মূৰবোৰে আকৌ মাত লগালে, "ক'ৰ মানুহ ক'লৈ আহিছ, বেগেতে ক; নহলে মৰিবি এতিয়া।" ল'ৰাটোৱে এই কথা শুনি সিহঁতক আগৰপৰা গুৰিলৈকে তাৰ সকলো-বিলাক কথা ক'লত মূৰবিলাকে তাক ক'লে,— "এইখন ৰাক্ষসৰ দেশ। তই যিটো পণ্ডিতৰ লগত আহিছ, সি মানুহ নহয়, ৰাক্ষস হে। সি আমাকো তোৰ দৰে ছলি আনি খালে। সি নৈত গা ধুবলৈ গৈছে, এতিয়াই উভতি আহি তোক খাই পেলাব। যদি তই তৎক্ষণাৎ পলাই যাব পাৰ, তেন্তে সাৰিব পাৰিবি; নহলে তোৰও আমাৰ দশাই লগ লব যদি লৰালৰিকৈ পলাব নোৱাৰ, তেন্তে আৰু এটা বুধি আছে। তই জানো গাহ কৰি ৰাক্ষসটো কাটিব পাৰিবি? তোৰ গাত বল আছে নে? যদি আছে, তেন্তে কওঁ শুন,—সেই ঘৰটোৰ ভিতৰতে বেৰত আঁৰি থোৱা খাণ্ডা এখন আছে। তাৰেই সি আমাৰ মূৰ কাটিছিল, তোৰও কাটিব। তই যদি সেই খাণ্ডাখন লৈ সেই ঘৰৰ দুৱাৰচুকত লুকাই থাকি, সি ঘৰ সোমাওঁতেই তকিব নোৱাৰাকৈ কোব মাৰি তাৰ মূৰটো কাটিব পাৰ, তেন্তে ৰক্ষা পৰিবি, নতুবা তোৰ ফালে সাং।" মূৰবোৰৰ কথা শুনি ল'ৰাটোৱে পাৰিম বুলি ক'লত, সিহঁতে আকৌ ক'লে, "তেন্তে তই ৰাক্ষসটোক কাটিয়েই তাৰ মূৰৰ তেজ অলপমান আনি যদি আমাৰ মূৰতও চটিয়াই দিয়, তেন্তে আমিও জী আগৰ নিচিনা হ'ম।" ল'ৰাটোৱে সেইটোও কৰিবলৈ গাত লৈ ঘৰ সোমাই খাণ্ডাখন লৈ দুৱাৰ-চুকত লুকাই থাকিল। এনেতে ৰাক্ষসে গা-পা ধুই আহি ঘৰ সোমাবলৈ গ'ল। যেই সি দুৱাৰদলিত ভৰি দিলে, ল'ৰাটোৱে বিজুলীসঞ্চাৰে আহি খাণ্ডাখনেৰে কোব মাৰি তাৰ মূৰটো কাটি মাটিত পেলালে; আৰু তেতিয়াই তাৰ তেজ লৈ সেই মূৰবোৰৰ ওপৰত চটিয়াই দিলত, সিহঁত একোটা দিব্য পুৰুষ হৈ উঠি বহিল। তেতিয়া সিহঁত আটাইবোৰে ল'ৰাটোক আকোঁৱাল মাৰি ধৰি সন্তোষ জনাই তাৰ শলাগ লৈ নিজৰ নিজৰ ঘৰলৈ গুচি গ'ল।

ইয়াৰ পিছত ল'ৰাটোৱে ৰাক্ষসৰ ঘোৰাশালৰ পৰা ভাজী ঘোৰা এটা লৈ তাৰ পিঠিত উঠি সেই অৰণ্যৰ মাজেদিয়েই আহিবলৈ ধৰিলে। আহি থাকোঁতে আহি থাকোঁতে সি আৰু এখন ৰাক্ষসৰ ঠাই পালেহি। সেই ঠাইৰ গৰাকিয়নী এজনী ৰাক্ষসী। তাই মানুহ দেখিলে হৰিণাপহু এটা হৈ ওচৰ চাপে, আৰু পহুটো ধৰিবৰ মন কৰি মানুহজন আগবাঢ়ি গ'লেই পহুটোৱে ধৰা নিদি আগে আগে লৰি পলাই যায়। এইদৰে পহুটোৱে মানুহটো লৈ গৈ পৰ্ব্বতৰ বোপ এটাত সুমায়গৈ।

সেই খোপত মানুহ সোমালেই সোমাওঁতাজনে উশাহ-নিশাহ লব নোৱাৰি পৰি মৰি যায় ; আৰু তেতিয়া ৰাক্ষসীয়ে নিজ ৰূপ ধৰি বং মনেৰে খটো খায়। ল'ৰাটোকো এতিয়া তাই সেইদৰে ভুলাই লৈ গৈ সেই খোপত সুমাই মাৰি পেলালে। ৰাক্ষসীয়ে, "আজি ইয়াৰ ঘোঁৰাটোকে খাওঁ, কাইলৈ ইয়াক খাম" বুলি সেই দিনা ঘোঁৰাটো খাই, ল'ৰাটো পিছদিনাখন খাবলৈ থৈ দিলে।

ইফালে ল'ৰাটোৰ ঘৰত তুলসীগছজোপা জঁয় পৰি যোৱা দেখি ভায়েকে বুজিলে যে তাৰ ককায়েকৰ মৃত্যু হ'ল। সি ৰাক্ষসীবিদ্যা ভালকৈ জানে বুলি আগেয়ে কৈ আহিছোঁ। তৎক্ষণাৎ সি গণিপঢ়ি জানিলে, তাৰ ককায়েক ক'ত কেনেকৈ মৰিল। জানিব পাৰিয়েই সি তত্তালিকে ঘোঁৰা এটাত উঠি ধনু কাঁড় লৈ সেই ৰাক্ষসীৰ চোং পালেহি ; ৰাক্ষসীয়ে দূৰৰপৰা আৰু এটা মানুহ অহা দেখি ন চিকাৰ মিলিছে ভাবি বৰ বং পাই হৰিণাপছ এটা হৈ তাক দেখা দিলে। ল'ৰাটোৱেও পছটো দেখিয়েই সেইজনী ৰাক্ষসী বুলি বুজি ৰাক্ষসী বিদ্যাৰে মায়া হৈ, বাঘ এটা হ'ল। তেতিয়া ৰাক্ষসীয়ে বুজিলে যে এইবাৰ সমানে সমানে পৰিছে। তাই তেতিয়াই এটা দুৰ্জ্জয় অজগৰ সাপ হৈ মুখ মেলি বাঘটো গিলিবলৈ খেদি আহিলত, বাঘটোৱে বৰ ডাঙৰ নেউল এটা হৈ তৎক্ষণাতে সাপটো ডোখৰ ডোখৰ কৰি মাৰি পেলালে।

ৰাক্ষসীক মাৰি অঁতাই গুহালৈ গৈ ভায়েকে মন্ত্ৰ মাতি ককায়েকক জীয়ালে, আৰু দুয়ো বঙেৰে আকোঁৱলা-আকোঁৱালি কৰি, ঘোৰাত উঠি নিজৰ ঘৰলৈ উভতি আহিল। পুতেকহঁতক পাই বুঢ়া-বুঢ়ীৰ নথৈ বং লাগিল।

—

অষ্টাদশ সাধু

নাতি।—"ককাদেউতা, আজি দুপৰীয়া তুমি কি এটা শ্লোক মাতি কৈছিলা যে মানুহৰ ভিতৰত নাপিত ধূৰ্ত্ত। কিয় নাপিতক ধূৰ্ত্ত বোলে ককাদেউতা ?"

ককা।—"কিয় বোলে, এটা নাপিতৰ সাধু কওঁ শুন, তেতিয়া বুজিব পাৰিবি"—

ৰাজকন্যা আৰু নাপিত

সত্যকালত চৰাই-চিৰিকতি পহু-পতং সকলোৱে কথা কব পাৰিছিল, আৰু সিহঁতৰ কথা মানুহে বুজি পাইছিল। সেই কালত এদিন এজন ৰজাই তেওঁৰ ৰৰ-চ'ৰাত বহি থাকোঁতে দেখিলে যে ৰৰ-চ'ৰাৰ আগ-চোতালতে এটা বগা আৰু এটা ক'লা কাউৰীয়ে কেলুকেলাই কথা পাতি আছে। প্ৰথমতে বগা কাউৰীয়ে ক'লা কাউৰীটোক সুধিলে "বান্ধ, তোমা-লোকে ইয়াত কি খাই থাকা ?" ক'লা কাউৰীয়ে উত্তৰ দিলে—"আমি ধান-চাউল, পোক-পৰুৱা আদি খাই থাকোঁ ; তোমালোকেনো কি খোৱাঁ ?" বগা কাউৰীয়ে ক'লে, "আমি সাত সাগৰৰ সিপাৰে থকা মাণিক গছৰ মাণিক খাওঁ।" ইয়াৰ পিছত কাউৰী দুটা উৰি গ'ল। ৰজাই কিন্তু ৰৰ-চ'ৰাৰ পৰা সিহঁতৰ এই কথা শুনি আছিল। ৰজাই তেতিয়াই পাত্ৰ-মন্ত্ৰী আদি সভাসদসকলক ক'লে, "তোমালোকৰ ভিতৰত যেয়ে সাত সাগৰৰ সিপাৰৰ পৰা মাণিকৰ গছ আনি মোক দিব পাৰিবা তেওঁক মই মোৰ খাই মন্ত্ৰী পাতিম।" মন্ত্ৰীয়ে ক'লে, "স্বৰ্গদেৱ, মই কেনেকৈ সাগৰৰ সিপাৰলৈ যাম ? আৰু মাণিকৰ গছ ক'ত বিচাৰি পাম ? স্বৰ্গদেৱ সেই কাম মোৰ অসাধ্য।"

পাত্ৰইও সেই কথাকে ক'লে। আন আন সভা-সদসকলৰ পৰাও ৰজাই তেনেকুৱা উত্তৰকে শুনি ক'লে, "বাৰু, এতিয়াই নগৰত ঢোল পিটি শুনাই দিয়া হওক যে, যেয়ে মোক সাত সাগৰৰ পাৰৰপৰা মাণিকৰ গছ এজোপা আনি দিব পাৰিব, তাক মই দুকলহ সোণ-ৰূপ দিম, আৰু মোৰ খাই মন্ত্ৰী পাতিম।" ৰজাৰ হুকুম মতে এই কথা নগৰত জাননী দিয়া হ'ল ; কিন্তু কোনো সেই কামলৈ আগ নাবাঢ়িল।

সেই নগৰতে এটা সামান্য মানুহৰ দুজনী বৈণীয়েক আছিল, ৰবজনী এলাগী, সৰু জনী লাগী। এলাগীৰ ল'ৰা এটা ; লাগীৰ ল'ৰা ছটা। এলাগীৰ ল'ৰাটো খোৰা ; লাগীৰ ল'ৰা কেইটা শকত-আৱত আৰু নিৰোগী। এলাগী আৰু তাইৰ ল'ৰাটোক লাগী আৰু লাগীৰ ল'ৰা কেইটাই দেখিব নোৱাৰে, আৰু খোৱা-পিন্ধাত বৰ দুখ দিয়ে। খোৰাৰ বাপেকৰপৰাও খোৰাই আৰু তাৰ মাকে কেতিয়াও মৰম দেখা নাপায়।

লাগীৰ ল'ৰা ছয়োটাই ৰজাৰ জাননীৰ কথা শুনি ৰজাৰ ওচৰলৈ গৈ আঠু লৈ ক'লে, "স্বৰ্গদেও, আমিয়েই সেই মাণিকৰ গছ আনি দিবলৈ যাব পাৰোঁ, যদি স্বৰ্গদেৱে হুকুম দিয়ে।" সিহঁতৰ কথা শুনি ৰজাই ক'লে, "মোৰ কোনো আপত্তি নাই ; তহঁতে আনিব পাৰ যদি যা। যাবলৈ তহঁতক কি লাগে মোৰ ভঁৰালৰপৰা লৈ যা।" ৰজাৰ হুকুম পাই সিহঁতে ৰজাৰ ভঁৰালৰপৰা বাটত খাবলৈ যি যি বস্তু লাগে সেইবোৰ লগতে লৈ পাঁচখন নাৱত উঠি মাণিক আনিবলৈ সাগৰেদি যাত্ৰা কৰিলে।

নাগীৰ পুতেকহঁতে মাণিক আনিবলৈ যোৱা শুনি এনাগীৰ খোৰা পুতেকেও মাকক সুধিলে, "আই, মোৰ ককাইহঁতে মাণিক আনিবলৈ গৈছে মইও যাওঁ।" মাকে ক'লে, "বোপাই, সিহঁত হৈছে ছয় ভাই-ককাই, বাপেকৰো অতি মৰমৰ ; তই হৈছ এনাগীৰ একেটি পোনা, বাপেৰেও তোক দেখিব নোৱাৰে, ককাইদেৱেৰহঁতেও দেখিব নোৱাৰে। তই ক'লৈ যাবি মোৰ সোণাই ? মই মাগি-খুজি তোক খুৱাই থাকিম, তই কলৈকো যাব নালাগে মোৰ বোপাই। তই ৰজাৰ মন্ত্ৰী হবলৈ, আৰু বঁটালৈ আশা কৰি সাত সাগৰৰ পাৰত মাণিক বিচাৰি গৈ কৰবাত মৰি-হাজি চুকাই মোক অনাথিনী কৰিব নালাগে মোৰ সোণাই।' পুতেকে ক'লে, "নহয়, আই, যাওঁ, কামটো কৰিব পাৰিলেতো একেবাৰেই আমাৰ দুখ গুচিবই, নোৱাৰি মৰিলেও মৰিম, তাত নো বেজাৰ কি ? একেইতো খোপায়ে আমাক দেখিব নোৱাৰে। যদি ৰজাৰ কামত গৈ মৰোঁ, তেনেহলেও ৰজাই তোমাক পুহিব। সেইদেখি আই তুমি হকা-বধা নকৰিবা। মোৰ বৰ মন গৈছে যাওঁ, গৈ এবাৰ চাওঁৱেইচোন বিধতাই নো আমাৰ কপালখনত সদায় দুখকে লেখিছে নে ?" খোৰাই এইদৰে বৰকৈ মাকক কেৰেজেৰকৈ ধৰিলত মাকে এবাৰ নোৱাৰি শান্দিকাটি পুতেকক বিদায় দিলে।

খোৰাই ৰজাৰ আগত আঠু লৈ ক'লেগৈ, "সৰ্গদেৱে আজ্ঞা দিলে বন্দীয়েও মাণিকৰ গছ আনিবলৈ যাব পাৰোঁ।" ৰজাই ক'লে, "ভাল কথা, যাব খুজিছ যা ; আৰু কি লাগে মোৰ ভৰালৰপৰা লৈ যা"।

খোৰাই অলপমান খোৱা বস্তু টোপোলা বান্ধি লৈ, ৰজাৰ ঘোৰা-শালৰপৰা ঘোৰা এটা লবৰ মনেৰে ঘোৰাশালত সোমাল ; কিন্তু সি যিমানকে ঘোৰা চাই ফুৰিছে, এটা ঘোৰাও তাৰ চকুত লগা নাই। সি, খীণোৱা আৰু উজুটিতে পৰি-মৰা ঘোৰা এটা দেখি হঠাৎ তাৰ আগত থমকি ৰ'ল ; কাৰণ ঘোৰাটো সি সৰ্ব্বসুলক্ষণীয়া যেন দেখিলে, ঘোৰাটোৰ গলধনত চপৰিয়াই খোৰাই মাত লগালে,-"কি আচৰিত কথা। এনে সৰ্ব্বসুলক্ষণীয়া ঘোৰাটো এনে উজুটিতে পৰিমৰা হ'ল কিয় ?" ঘোৰাটোৱে মাত লগালে, "ককাই, মোৰ দুখৰ কথা কোনেও নেজানে। মোৰ ভৰিৰ খুৰাৰ তলত সোণৰ শলখা সোমাই আছে ; সেইবাবেই মই এনে চেৰেলা হৈ পৰি আছোঁ। তুমি যদি পাবা, সেই শলখাডাল টানি উলিওৱাঁ, উলিয়ালেই দেখিবা মই কেনেটো হওঁ। আৰু তাকে কৰি মোৰ পিঠিত উঠি তুমি যলৈকে যাব খুজিবা তলৈকে মই তোমাক নিনিয়তে লৈ যাম।" খোৰাই ঘোৰাটোৰ কথা শুনি ভৰিটো দাঙি চাই দেখিলে সঁচা তাতে সোণৰ শলখা এডাল সোমাই আছে। সি তেতিয়াই কৰাৰৰ খৰলৈ গৈ এডাল লোৰ চেপেনা আনি শলখাডাল টান মাৰি উলিয়ালতে ঘোৰাটো সুস্থ হৈ টগ্‌বগালৈ ধৰিলে। খোৰাই দেখি বং পাই মাণিকৰ গছ আনিবলৈ ৰজাৰ ওচৰত মেলানি মাগি, সেই ঘোৰাটোতে উঠি ছুটি মেলিলে।

সিকালে খোৰাৰ ককায়েকহঁত সাগৰেদি গৈ যাটৰ ওৰকে পোৱা নাই ; ইকালে খোৰাই বাবেদি ঘোৰা চেকুৱাই গৈ গৈ তিন দিনৰ মূৰত যমৰজাৰ নগৰ পালেগৈ। তাতে সি দুদিনমান জিৰাবৰ মনেৰে থাকি, যমৰজাৰে সৈতে দেখা-শুনা কৰিলে। যমৰজাই ভালেদিনৰপৰা জীয়েকলৈ দৰা বিচাৰি ফুৰিছিল, কিন্তু কতো সুলক্ষণীয়া দৰা নাপাই মনৰ বেজাৰত চ'ৰাতে মূৰখুৰাই বহি আছিল। এনেতে খোৰা তেওঁৰ আগত ওলালতে তাক সুলক্ষণীয়া দেখি তালৈকে জীয়েকক বিয়া দিলে। যমে জীয়েকক মৰা-মানুহ জীয়াই লব পৰা বৰ দি জোঁৱায়েকৰ লগত উলিয়াই দিলে ; আৰু জোঁৱায়েকে যমৰজাৰ জীয়েকক লগত লৈ যাবলৈ ধৰিলে।

এইদৰে গৈ থাকোতে খোৰা দিনচেৰেকৰ মূৰত কপৌৰজাৰ নগৰত ওলালগৈ। তাতে জিৰাবৰ মনেৰে সি দিনদিয়েক থাকোঁতে কপৌৰজাই গম পাই তাক মতাই নিয়াই তালৈ নিজৰ জীয়েকক বিয়া আৰু এহাল কপৌ যৌতুক দিলে। কপৌৰজাৰ জীয়েকে কপৌহাল লগত লৈ গিৰিয়েকৰ লগত যাবলৈ ধৰিলে।

কিছুমান দিনৰ মূৰত খোৰা নাগৰজাৰ দেশত ওলালগৈ। তাতে সি কিছুমান দিন জিৰাই-শঁতাই থাকোঁতে নাগৰজাৰ চকুত পৰিল। ৰজাই সুলক্ষণীয়া যোগ্য ল'ৰাটো দেখি লৰালৰিকৈ তালৈ জীয়েকক বিয়া দি, এহাল নাগ-নাগিনী যৌতুকত দি পঠিয়াই দিলে।

নাগৰজাৰ দেশৰ পৰা গৈ গৈ পাঁচ দিনৰ দিনা' খোৰা সৰ্পৰজাৰ দেশত ওলালগৈ। সৰ্পৰজাইও এনেটো ল'ৰা হাতত পাই আদৰ-সাদৰ কৰি লৈ গৈ খুৱাই-বুৱাই নিজৰ জীয়েকক তালৈ বিয়া দি এহাল সৰ্প যৌতুক দিলে। সেইজনী ঘৈণীয়েকেকো লগতে লৈ খোৰা যাবলৈ ধৰিলে।

গৈ আছে, গৈ আছে, গৈ আছে, এনেতে খোৰা ৰূপহ্‌কৰ বিচনী ৰজাৰ মলুকত ওলালগৈ। বিচনী ৰজাইও এনে সুলক্ষণীয়া দৰা দেখি লোভ সামৰিব নোৱাৰি নিজৰ জীয়েকক তালৈ বিয়া দি দুখন বিচনী লগত যৌতুক দিলে।

এইদৰে পোৱা পাঁচজনী কন্যা লগত লৈ খোৰাই গৈ থাকোঁতে দিনচেৰেকৰ মূৰত শগুণী-ৰজাৰ দেশ

পালেগৈ। শগুণী ৰজাইও বৰ, কপৌ, নাগ, সৰ্প আৰু বিচনী-ৰজাৰ আহি লৈ বৰ ৰংমনেৰে ধুমধাম কৰি নিজৰ জীয়েকক খোৰালৈ বিয়া দিলে আৰু জীয়েকৰ লগত সাগৰৰ সিপাৰৰ মাণিকৰ গছ এজোপা আনি যৌতুক দি জীয়েক-জোঁৱায়েকক পঠিয়াই দিলে। লগত মানুহ সৰহ হোৱা দেখি খোৰাই বাৰেদি তাৰ খোৰাটো আৰু মানুহবোৰ পঠিয়াই দি ঘৈণীয়েকহঁতক লগত লৈ নাৱেৰে সাগৰেদি উলটি আহিবলৈ ধৰিলে।

ইকালে খোৰাৰ ককায়েক ছটাই মাণিকৰ গছ বিচাৰি নাপাই, উভতি আহি থাকোঁতে দূৰৰ পৰা খোৰাৰ নাও দেখা পালে। সিহঁতে দেখিলে খোৰাই ছজনী কন্যাৰে সৈতে মহা পৰোভৱেৰে আনন্দ কৰি ত্ৰেলপাৰ লগাই সাগৰত আহিব লাগিছে। সিহঁতে দেখিয়েই বুজিলে যে খোৰাই কৰবাত মাণিকৰ গছ পাই আনিছে। তাকে ভাবি সিহঁতে কোৱামেলা কৰিলে যে, "আমি ছটা গজ-হস্তী যেন মতা মানুহক চেৰ পেলাই এতিয়া খোৰা হে মন্ত্ৰী হবলগা হ'ল। সি মন্ত্ৰী হব, আৰু আমি তাৰ খাটনি ধৰি ভাত মোকোলাই খাম। ই কথা হবই নোৱাৰে ; খোৰাক সাং কৰি থৈ তাৰ হাতৰপৰা মাণিকৰ গছ আৰু কন্যাবোৰ কাঢ়ি লৈ ভাগবাটি লওঁহঁক আৰু মাণিকৰ গছ ৰজাক দি আমাৰে এটা মন্ত্ৰী হওঁহঁক।" সিহঁতে ইয়াকে আলচ কৰি সিহঁতৰ নাও খোৰাৰ নাৱৰ ফালে খেৱা দি লৈ আহি ওচৰ পাই মিঠাকৈ মাত লগালে, "সেইটি আমাৰ খোৰা ভাইটি নে ? তই ইমানবোৰ কন্যা কৰপৰা পালি ? মাণিকৰ গছও আনিছ নে কি ?" খোৰাই উত্তৰ দিলে, "এৰা ককাইটিহঁত, ময়েই। মাণিকৰ গছও আনিছোঁ।" তাৰ পিছত সি কেনেকৈ আহিল, কেনেকৈ কন্যাবিলাক পালে, আৰু মাণিকৰ গছ কেনেকৈ পালে এটাইবোৰ কথা আগৰপৰা গুৰিলৈকে ককায়েকহঁতৰ আগত ভাঙি-চিঙি ক'লে। এই কথা শুনি সিহঁতে আৰু সোণ-পোছ নকৰি নাৱৰ বঠাৰে কুবিয়াই খোৰাক মাৰি সাগৰত পেলাই দিলে। ইয়াকে দেখি যমৰজাৰ জীয়েকে কাবৌ-কোকালি কৰি সিহঁতক ক'লে যে "আমাৰ গিৰি-হঁতক আপোনালোকে মাৰি আমাক ভাগবাটি ললে ভাল কৰিলে ; কিন্তু তেওঁতো আমাৰ স্বামী আছিল এতেকে তেওঁৰ শ-টো পানীৰপৰা তুলি আনি আমাক দিয়ক, আমি লৈ গৈ ঘৰত থৰি দিওঁগৈহঁক ; নহলে বৰ পাপৰ কথাটো হ'ব।" যমৰজাৰ জীয়েকৰ কথাত সিহঁতৰ মন নুকুমলিলত এটাইকেইজনীয়ে গোটখাই চিঞৰি কান্দিবলৈ ধৰিলে, আৰু ক'লে, "যদি আপোনালোকে আমাক শটোও পুৰি মৃতকৰ মুখত পানী এচলু দিবলৈ নিদিয়ে তেন্তে আমাকো লগতে মাৰি পেলাওক ; নহলে, আমি ৰজাৰ আগত এই কথা কৈ দিমগৈহঁক।" এই কথা শুনি সিহঁতে ভয় খাই শ-টো সাগৰৰপৰা তুলি আনি যমৰজাৰ জীয়েকক দি বুজাই-বঢ়াই সান্ত্বনা কৰি নাও বাই গুচি আহিল ; আৰু যমৰ জীয়েকে শ-টো এটা পেৰাত ভৰাই লৈ আহিল।

ছয়োটা ককাই-ভায়ে মাণিকৰ গছ আনি ৰজাৰ নগৰৰ ঘাটত নাও চপালত, ৰজাই বাতৰি শুনি পাত্ৰ-মন্ত্ৰী সভাসদসকলক লগত লৈ সিহঁতক আদৰি নিলেহি। এই বাতৰি নগৰত ফাটি পৰিলত, মাণিকৰ গছ চাবলৈ চাৰিউফালৰপৰা প্ৰজা আহি ৰজাৰ ৰব-চ'ৰা ভৰি পৰিলহি। ৰজাই ৰব-চ'ৰাত বহি ছয় ভায়েকক মাণিকৰ গছ উলিয়াই দিবলৈ হুকুম দিলত, সিহঁতে কন্যা কেইজনীক পেৰাটো মেলি গছজোপা উলিয়াই দিবলৈ ক'লে ; কিন্তু মাণিকৰ গছ থকা পেৰাটো সিহঁতৰ খোৰা ভায়েকৰ বাহিৰে আন কোনেও মেলিব নোৱাৰে, গতিকে, সিহঁত মহা মস্কিলত পৰিল। সিফালে, "গছ উলি-য়াই দে, পলম কৰিছ কিয় ?" বুলি ৰজাই ক'লে। সিহঁতে ছোৱালীকেইজনীক "হেৰ উলিয়াই নিদিয় কিয় ? তৎক্ষণাৎ উলিয়া" বুলি ডাবি দি ক'লত যমৰজাৰ জীয়েকে উঠি আহি ৰজাৰ আগত আঠু লৈ ক'লে, "সৰ্গদেও, এই মাণিকৰ গছ আৰু আমাক যি বিয়া কৰাই আনিছিল তেওঁক এওঁবিলাকে বাটতে মাৰিলে। মাণিক অনাজন গিৰিহঁতৰ বাহিৰে আমি বা আন কোনেও পেৰা মেলিব নোৱাৰোঁ ; তেওঁহে এই পেৰাটো মেলিব আৰু মাৰিব জানিছিল।" ৰজাই এই কথা শুনি আচৰিত মানি ক'লে, "তেন্তে দেখিছোঁ এটা মহা অন্যায় কাণ্ড ঘটিছে। এতিয়া কি হব, কি উপায়েৰে পেৰা মেলা যায় ?" যমৰ জীয়েকে ক'লে, "সৰ্গদেৱ, মেটায়ে আমাৰ গিৰি-হঁতৰ শ-টো সেই আনটো পেৰাতে ভৰাই আনিছোঁ। যদি মেটাক হুকুম দিয়ে তেন্তে মেটায়ে তেওঁক জীয়াই দিব পাৰোঁ।" এই কথা শুনি ৰজাই আৰু আচৰিত হৈ ক'লে, "বাৰু দে জীয়াই ; মই হুকুম দিছোঁ।" ৰজাৰ হুকুম পাই যমৰজাৰ জীয়েকে পেৰা এটাৰপৰা গিৰিয়েকৰ মৰা-শটো উলিয়াই, তাৰ ভিতৰত জীৱটো সুমাই দিবলৈ বাপেকক ধ্যান কৰি কোৱাত মৰা গিৰিয়েকে জীৱ পাই উঠি বহিল ; আৰু তেতিয়াই সি পেৰাটো মেলি মাণিকৰ গছজোপা উলিয়াই দিলে। মাণিকৰ গছজোপা ওলালতে তাৰ জেউতিত ৰজাৰ ৰব-চ'ৰা তিৰ্ বিৰাবলৈ ধৰিলে। ৰজাৰ মহা আনন্দ মিলিল ; আৰু বাইজে চাৰিউফালৰপৰা "হৈ-ধ্বনি" দিবলৈ ধৰিলে। তাৰ পিছত ৰজাই খোৰাৰ মুখৰপৰা সকলো কথা শুনি তাক খাই মন্ত্ৰী পাতিলে, আৰু তাৰ হিংসাকুৰীয়া ককায়েকহঁতক হাতীৰে গচকাই মৰালে।

কিছুদিন এইদৰে খোৰা খাই মন্ত্ৰী হৈ সুখেৰে থকা দেখি, ৰজাৰ মাপিতটোৰ বৰ খিয়াল লাগিল।

নাপিতটো ৰজাৰ বৰ খাটনিয়াৰ আছিল। কেনেকৈ খোৱাক মন্ত্ৰী ভাঙি সি আন এজনক মন্ত্ৰী পতাব, দিনে-ৰাতিয়ে তাৰ এইহে চিন্তা হ'ল। এদিন সি ৰজাৰ ডাঢ়ি খুৰাই থাকোঁতে ৰজাক লাহেকৈ ক'লে, "সৰ্গদেও, মাণিকৰ গছ আনি মন্ত্ৰী হোৱাই মন্ত্ৰী নহয়; মন্ত্ৰীৰ আৰু কাম আছে।" ৰজাই তাক সুধিলে, "কি কাম আছে, কচোন?" সি উত্তৰ দিলে, "সৰ্গদেও, যিটো মন্ত্ৰীয়ে এদিনৰ ভিতৰতে দুপুৰা মাটিত মাহ-সৰিয়হ সিঁচি আকৌ ৰাতিটোৰ ভিতৰতে ডুলিত বেলেগ বেলেগকৈ ভৰাই দিব পাৰে, সি হে আচল মন্ত্ৰী; আৰু তেনে মানুহ হে সৰ্গদেওৰ মন্ত্ৰী হবৰ যুইগ।"

নাপিতৰ কথা শুনি পিছদিনা ৰজাই মন্ত্ৰীৰ হতুৱাই দুপুৰা মাটিত মাহ-সৰিয়হ সিঁচাই দি ক'লে,—"মন্ত্ৰী, যদি তুমি আজি ৰাতিৰ ভিতৰতে আকৌ এই মাহ-সৰিয়হবোৰ বুটলি ডুলিত ভৰাই দিব পাৰা, তেহে তুমি মোৰ মন্ত্ৰী হৈ থাকিব পাৰিবা, নহলে তোমাক মই কটাম।" ৰজাৰ কথা শুনি মন্ত্ৰীয়ে বেজাৰ কৰি ঘৰলৈ গৈ মন-মাৰি বহি আছে। এনেতে কপৌৰজাৰ জীয়েকে সুধিলে,—"আজি আপোনাৰ নো কি হ'ল? মন-মাৰি বহি আছে কিয়?" গিৰিয়েকে ক'লে,—"কি কম বেজাৰৰ কথা। আজি ৰাতিটোৰ ভিতৰতে দুপুৰা মাটিৰ মাহ-সৰিয়হবোৰ বুটলি আনি ডুলিত ভৰাই দিবলৈ ৰজাই মোক হুকুম দিছে; নহলে হেনো কাটিব।" কপৌ ৰজাৰ জীয়েকে ক'লে, "ইস্ বৰ কথাটো। আপুনি বেজাৰ নকৰিব, খাই-বৈ শুই থাওক; মই তাৰ দিহা কৰিম।" ঘৈণীয়েকৰ কথা শুনি মন্ত্ৰীৰ অলপ ভাল লাগি তেওঁ খাই-বৈ শুই থাকিল। ইপিনে কপৌৰজাৰ জীয়েকে ৰাতি গহীন হ'লত, তাইৰ বোৗতুকৰ কপৌহাল উলিয়াই দি সিহঁতক ক'লে, "বোপায়ে তহঁতক মোৰ বিপদত তাৰিবলৈ দিছে; এতিয়া তহঁতে মাহ-সৰিয়হবোৰ তুলি ডুলিত ভৰাই দিব লাগে।"

এই কথা শুনি কপৌহাল উৰি গৈ "দেশৰমানে" যতবোৰ কপৌ আছিল এটাইবোৰ তেতিয়াই মাতি আনি সিহঁতৰ হতুৱাই ৰাতিৰ ভিতৰতে মাহ-সৰিয়হবোৰ বোটলোৱাই ডুলিত ভৰোৱাই দিয়ালে। পিছদিনা ৰজাই দেখি আচৰিত মানিলে। নাপিতেও আচৰিত হৈ মন্ত্ৰীক ধ্বংস কৰিবলৈ আকৌ ন-বুধি ভাবিবলৈ ধৰিলে।

কিছুমান দিনৰ পিছত নাপিতে আকৌ এদিন ৰজাৰ গা পিটিকি থাকোঁতে ৰজাক ক'লে,—"সৰ্গদেও, এই মন্ত্ৰীয়েই মন্ত্ৰী নহয়, মন্ত্ৰীৰ আৰু কাম আছে।" ৰজাই "কি কাম কচোন?" বুলি সুধিলত নাপিতে ক'লে, "স্বৰ্গদেও, যি এৰাতিৰ ভিতৰতে দুপুৰা মাটিত দুটা পুখুৰী খনাই নাগ বহুৱাই দিব পাৰে সিহে আচল মন্ত্ৰী।" এই কথা শুনি ৰজাই মন্ত্ৰীক আগৰদৰে হুকুম দি ক'লে, "যদি পুখুৰী খনাই দিব নোৱাৰা, তেনেহলে তোমাৰ মূৰ যাব।"

সেই দিনাও মন্ত্ৰীয়ে ঘৰত মূৰধুমাই বহি আছে দেখি, নাগ-ৰজাৰ জীয়েকে দেখা পাই, "কি হৈছে?" বুলি সুধিলত তেওঁ ৰজাৰ হুকুমৰ কথা ক'লে। কথাটো শুনি ঘৈণীয়েকে ক'লে, "এইটো একো টান কথা নহয়; আপুনি খাই-বৈ মহাসুখে শুই থাকক, মই তাৰ ব্যৱস্থা কৰিম।" ৰাতি গহীন হ'লত, নাগ-ৰজাৰ জীয়েকে যৌতুকত পোৱা নাগ-নাগিনীক ক'লে, "বোপায়ে মোক বিপদত তাৰিবলৈ তহঁতক মোৰ লগত দিছে। তহঁতে আজি ৰাতিৰ ভিতৰতে এই দুপুৰা মাটিত পুখুৰী দুটা খানি তাত নাগ বহুৱাই দিব লাগিব, নহলে এৰণ নাই।" নাগৰজাৰ জীয়েকৰ কথা শুনি নাগ-নাগিনীয়ে তেতিয়াই "দেশৰ" নাগ মাতি আনি পুখুৰী খানিবলৈ লগাই দিলে; আৰু ৰাতিৰ ভিতৰতে মাটি দুপুৰাত সিহঁতে দুটা পুখুৰী খানি তাত নাগ পুতি থৈ গুচি গ'ল। পিছদিনা পুৱা ৰজা আৰু নাপিতে পুখুৰী দুটা দেখি বিস্ময় মানিলে; আৰু এনে দুটা অগাইধ কাম দিও মন্ত্ৰীক হৰুৱাব নোৱাৰি নাপিত বিবুধি হ'ল।

ইয়াৰ দিনচেৰেকৰ পিছত আকৌ নাপিতে এটা বুধি চৰ্জি ৰজাক ক'লে, "সৰ্গদেও, সৰ্গদেওৰ মন্ত্ৰী এতিয়াও আচল মন্ত্ৰীৰ যুইগ হব পৰা নাইগৈ; মন্ত্ৰীৰ আৰু কাম আছে।" ৰজাই "সেইটো কি কাম?" বুলি সুধিলত নাপিতে ক'লে, "যি মন্ত্ৰীয়ে ৰাতিটোৰ ভিতৰতে এখন সৰ্পৰ নগৰ সজাই দিব পাৰিব সি হে আচল মন্ত্ৰী। নহলে এই মন্ত্ৰী কপহুতা মন্ত্ৰী।" নাপিতৰ কথা শুনি ৰজাই মন্ত্ৰীক মতাই আনি ক'লে, "তুমি যদি আজি ৰাতিৰ ভিতৰতে মোক এখন সৰ্পৰ নগৰ সজাই দিয়াব পাৰা, তেহে তুমি মোৰ মন্ত্ৰী হৈ থাকিব পাৰিবা, নতুবা তোমাক কটাম।" মন্ত্ৰীয়ে আকৌ এইটো ন-বিপদ গাত পৰাহি দেখি দুখে-বেজাৰে ঘৰত জুপুকা মাৰি বহি আছেগৈ; এনেতে সৰ্পৰজাৰ জীয়েকে দেখি "কি হৈছে?" বুলি সুধিলত গিৰিয়েকে সেই বিপদৰ কথা কৈ দুখ কৰিবলৈ ধৰিলে। ঘৈণীয়েকে ক'লে, "এইকেৰা কথাৰ নিমিত্তেই আপোনাৰ ইমানটো বেজাৰ? যাওক আপুনি ভাত-পানী খাই মহাসুখে শুই থাককগৈ, মই এই ৰাতিৰ ভিতৰতে আপোনাক সৰ্পৰ নগৰ কেইখন লাগে সজাই দিয়াম।" ঘৈণীয়েকৰ আশ্বাস বাণী শুনি গিৰিয়েকে ভাত-পানী খাই শুই থাকিল। ৰাতি দুপৰ হ'লত, সৰ্প-

ৰজাৰ জীয়েকে যৌতুকত পোৱা সাপজোৰ জপাৰপৰা উলিয়াই এৰি দি সৰ্পৰ নগৰ এখন সাজি দিবলৈ সিহঁতক ক'লত, সিহঁতে ততালিকে গৈ নগৰ সাপ এটাইবোৰ মাতি আনিলেগৈ। সিহঁতে বৰ বৰ অজগৰক খুটা-চাঁট পাতিলে, পানীমৰলী আৰু ডাহীক মাৰলি আৰু কমা পাতিলে। এইদৰে বিধে বিধে সাপেৰেই ঘৰবপৰা দুৱাৰলৈ, পদূলিলপৰা বাটলৈকে সিহঁতে সাজি গোটেইখন সৰ্পময় কৰি পেলালে ; বাতি এডোখৰৰপৰা সাপৰ কোঁপাউৰিত ওচৰত মানুহ থাকিব নোৱাৰা হ'ল। সাপৰ কোঁপাউৰি শুনি ৰজাৰ টোপনি ভাগি গ'লত, ৰজাই উঠি চাই বিচুত্তি হৈ ভয় খাই লৰ মাৰি ৰৰ-ঘৰৰ ভিতৰত সোমালগৈ। তেতিয়া ৰজাই মন্ত্ৰীক মতাই অনাই ক'লে, "মন্ত্ৰী, মোক আৰু সৰ্পৰ নগৰ নালাগে, এতিয়াই ভাঙি দিয়া।" মন্ত্ৰীয়ে সেই কথা সৰ্পৰজাৰ জীয়েকক ক'লত, বৈণীয়েকে ভিতৰৰপৰা তিনটা চাপৰি মাৰি দিলত সাপবোৰ দিহাদিহি ভাগি গুচি গ'ল ; আৰু তেতিয়াহে ৰজাই ৰৰ-ঘৰৰ ভিতৰৰপৰা ওলাব পাৰিছে।

নাপিতে তাৰ বুধিবোৰ এটা এটাকৈ খটাইও মন্ত্ৰীক একো কৰিব নোৱাৰি বিমোৰত পৰি থাকি কিছুমান দিনৰ অন্তত আৰু এটা বুধি উলিয়ালে। সি মন্ত্ৰীক মাৰিবৰ মনেৰে ৰজাক এদিন ক'লে, "সৰ্গদেও, আপোনাৰ মন্ত্ৰীয়ে এইবোৰ বিস্ময়কে কৰি দেখুৱাওক, তথাপি সি আপোনাৰ ঘৃইগৰ আচল মন্ত্ৰী হব পৰা নাই। যেতিয়ালৈকে সি আপোনাৰ উপৰি-পুৰুষৰ চিৰি-আঙঠিটো আনি দিব নোৱাৰে তেতিয়ালৈকে সি আচল মন্ত্ৰী হব নোৱাৰে। যি সেই চিৰি-আঙঠি আনি দিব পাৰে সি হে আচল মন্ত্ৰী।" ৰজাই নাপিতৰ কথা শুনি মন্ত্ৰীক মতাই আনি ৰজাৰ উপৰি-পুৰুষৰ চিৰি-আঙঠি আনিবলৈ হুকুম দি ক'লে, "আনিব নোৱাৰিলে তোমাৰ প্ৰাণ নাথাকে।"

ৰজাৰ হুকুম শুনি মন্ত্ৰীয়ে ভাবিলে যে তেওঁৰ আৰু এইবাৰ ৰক্ষা নাই। ঘৰলৈ গৈ তেওঁ মন মাৰি বহি আছে, এনেতে বিচনী ৰজাৰ জীয়েকে তেওঁক সেইদৰে আনন-বিমনকৈ থকা দেখি "কি হৈছে ?" বুলি সুধিলত, তেওঁ ক'লে, "এইবাৰ জীয়াই থাকিলেহে থকা,—আজি ৰজাই তেওঁৰ উপৰি-পুৰুষৰ চিৰি-আঙঠি আনিবলৈ মোক হুকুম দিছে ; আনি দিব নোৱাৰিলে মোৰ প্ৰাণ নাথাকে।' বৈণীয়েকে ক'লে, "থাক বাওক, যোৱা-যোৱা কৰকগৈ ; চিৰি-আঙঠি আনি দিব লাগে, আনি দিয়া যাব ; সি একো টান কাম নহয়।" বৈণীয়েকৰ কথা শুনি মন্ত্ৰীয়ে অলপ উৎসাহ পাই উঠি খাবলৈ গ'ল।

ইফালে নাপিতটোৱে ভাবিলে "ই মন্ত্ৰীয়ে নো কেনেকৈ বাৰে বাৰে ইমান আচৰিত কামবোৰ কৰে, চাব লাগিব।" ইয়াকে নাপিতে ভাবি, ৰাতি মন্ত্ৰীৰ ঘৰলৈ গৈ বাহিৰৰপৰা বেৰৰ জলঙাইদি জুমি চাই আছিল। ৰাতি গহীন হ'লত বিচনীৰজাৰ জীয়েকে যৌতুকত পোৱা বিচনী দুখন উলিয়াই "আজি মোক বিপদত তৰাব লাগিব" বুলি বিচনী দুখনৰ আগত কৈ, এখনেৰে গিৰিয়েকৰ গাত বা মাৰি দিলত গিৰিয়েক মৰি থাকিল ; আৰু ততালিকে, ৰজাৰ উপৰি-পুৰুষৰ ওচৰ পাই, ৰজাই চিৰি-আঙঠিটো খুজিছে বুলি তেওঁলোকৰ আগত কৈ আঙঠিটো ললে। তাৰ পাছত বৈণীয়েকে এখন বিচনীৰে বা মাৰি দিলতে গিৰিয়েকে জীৱ পাই উঠি বহিল। বেৰৰ জলঙাইদি নাপিতে এই কথা দেখি থাকি গুচি আহিল।

পিছদিনা মন্ত্ৰীয়ে ৰজাৰ হাতত চিৰি-আঙঠিটো দি ক'লে, "সৰ্গদেৱ, এইয়া চিৰি-আঙঠি চিনি লওক।" ৰজাই আঙঠিটো দেখি চিনি পাই, মন্ত্ৰীক শলাগিবলৈ ধৰিলে। সেইদিনা মন্ত্ৰীয়েও নাপিতক মাৰিবৰ খুধি সাজি ৰজাক ক'লে, "সৰ্গদেও, মই চিৰি-আঙঠি আনিবলৈ যাওঁতে দেখি আহিলোঁ, যে নাপিতৰ অভাৱত আপোনাৰ উপৰি-পুৰুষৰ ডাঢ়ি-চুলি আৰু নখবোৰ বৰ দীঘল হৈ পৰিছে। তেখেতসকলে মোক দেখি আপোনাৰ নাপিতটোৰ নাম কাঢ়ি তাক তেখেত-সকলৰ ওচৰলৈ পঠিয়াই দিবলৈ ক'লে।" ৰজাই মন্ত্ৰীৰ কথা সঁচা বুলি পতিয়াই নাপিতক মতাই অনাই কলে "মোৰ উপৰি-পুৰুষসকলৰ ডাঢ়ি-চুলি দীঘল হ'ল। তই আজি ৰাতিয়েই গৈ খুৰাই আহিবগৈ লাগে।" নাপিতে "ভাল সৰ্গদেউ" বুলি তাৰ ঘৰলৈ গ'ল। সি আগদিনা মন্ত্ৰীয়ে দুখন বিচনীৰ সহায়ত পৰলোকৰপৰা ৰজাৰ উপৰি-পুৰুষৰ চিৰি-আঙঠি অনা দেখিছিল। সি সেইদেখি সেইটো উজু কাম বুলি ভাবি বং মনেৰে কৰিবলৈ আগবাঢ়ি তাৰ বৈণীয়েকক সোনকালে ভাত-পানী বাঢ়ি দিবলৈ ক'লে। খাই-বৈ উঠি নাপিতে নাপিতনীক দুখন বিচনী আনিবলৈ ক'লে। নাপিতনীয়ে বিচনী দুখন আনি দিলত, নাপিতে তাইক ক'লে, "বোলো মই ৰজাৰ উপৰি-পুৰুষৰ ডাঢ়ি-চুলি খুৰাই আহিব লাগে ; এতেকে তই এখন বিচনীৰে মোক বিচি দে, দিলেই মই মৰিম, মৰি তেখেতসকলৰ ডাঢ়ি-চুলি খুৰাওঁগৈ ; আৰু কিছু পৰৰ পিছত ইখন বিচনীৰে তই মোক বিচি দিলেই মই জীম।"

নাপিতৰ কথা শুনি বৈণীয়েকে বিচনী এখন লৈ তাক বিচি আছে, কিন্তু সি নমৰে। সি নমৰা দেখি তাই তাৰ তৰুণীশিৰতে বিচনীৰ নালেৰে মাৰ এটা মাৰি দিলে, আৰু এবেঁ মাৰতে নাপিত মৰি থাকিল। ইয়াৰ অলপ পৰৰ পিছত নাপিতনীয়ে ইখন

বিচনীৰে বিচিবলৈ ধৰিলে। কিন্তু তাই বিচে যে খিচে গিৰিয়েক নিজীয়ে।

পিছদিনা ৰজাই খিচাৰ কৰিলে, নাপিতে ৰজাৰ উপৰি-পুৰুষৰ ডাঢ়ি-চুলি খুৰাই আহিল নে নাই? নাপিতনীয়ে গিৰিয়েকৰ মৰাশটো আগত লৈ বিচনীৰে খিচি আছে, তথাপি গিৰিয়েক নিজীয়ে; আৰু শটো উথহি ভীষাকাৰ দি তাৰপৰা গোন্ধ ওলাবলৈ ধৰিলে। সেইহে তাৰপৰা ইমান গোন্ধ ওলাবলৈ ধৰিলে যে গোন্ধ পাই ৰজাই, নাপিতৰ কি হ'ল, তাৰ ঘৰৰ ভিতৰ সোমাই চাবলৈ টেকেলা পঠিয়াই দিলে। টেকেলাই নাপিত মৰি উথহি গোন্ধাই থকা দেখি নাপিতনীক ধৰি আনি ৰজাৰ আগত হাজিৰ কৰিলেহি। ৰজাই তেতিয়াই, ঘৈণীয়েকে নাপিতক মাৰিলে বুলি ভাবি তাইকো মৰাই নাপিতৰে সৈতে একেলগে পোতাই থলে। সেই দিনাৰপৰা মন্ত্ৰীয়ে সুখেৰে খাই-লৈ কাম কাজ কৰি থাকিল।

উনবিংশ সাধু

নাতি।—"ককাদেউতা তুমি আজি মোক কৈছিলা যে মিলিজুলি লগ-লাগি কাম কৰিলে কামটো ৰিমানেই টান হওক কৰিব পাৰি। সঁচা নে?"

ককা।—"সচাঁ তো। আমি তো পাৰোঁৱেই কণা কুঁজাইও পাৰে। আজি কণা আৰু কুঁজাৰ সাধু এটা তোক কৈ মোৰ কথাৰ প্ৰমাণ দিওঁ।"

কণা আৰু কুঁজা

এখন গাঁৱত এটা কণা আৰু কুঁজা মানুহ আছিল। দুইৰো বৰ মিল আছিল। এদিন কণাই কুজাক কলে, "বান্ধ, আমি দুয়ো বিদেশত ধন ঘটিবলৈ যাওঁ ব'লা; ঘৰত বহি থাকি থাকি মিছাতে কাল কটাই হে আছোঁহঁক।" এই কথা শুনি কুঁজাই ক'লে, "এ বান্ধ, তুমি নো এনেৰোৰ গছত গৰু-উঠা হোলোতাৰে কাণ-বিয়োৰা কথা কবলৈ শিকিলা কেতিয়াৰপৰা সেও হে? মই হলোঁ কুঁজা, তুমি হলা কণা। মই জানিবা কোনোমতে কুঁজা-কুঁজিকৈ ইকাল-সিকালে যাওঁৱেই, তুমি এখোজ কাঢ়িবলৈকে চকুৰে নেদেখা। এনে থলত আমি বিদেশলৈ গৈ ধন ঘটিমহঁক? ভাল কথা কৈছা সেও হে।" কুজাৰ কথা শুনি কণাই হাঁহি ক'লে, "বান্ধ, তুমি নো ভয় খাইছা কেলৈ? তাৰ বুদ্ধি আছে। মই তোমাক কান্ধত তুলি লৈ যাম, তুমি মোক বাট দেখুৱাই যাবা। মোৰ ভৰি আৰু তোমাৰ চকু আছে যেতিয়া চিন্তা কিহৰ? তাৰ উপৰি মোৰ বুদ্ধি নথকাও নহয়।" কণাৰ কথাটো কুঁজাৰ মনত খাই গ'ল। কুঁজাই মাত লগালে—"ভাল কথা, বান্ধ, আহাঁ আমি ওলাই যাওঁহঁক; আমাৰ নো কপালত কি কি আছে এবাৰ তাকে খেপিয়াই-জেপিয়াই চাওঁহঁকেইচোন; ঘৰতে বহি বহি আমি শুদাতে ভেকুৰী বুঢ়া হে হৈছোঁহঁক।"

ইয়াৰ পিচদিনা পুৱাই কণাৰ কান্ধত কুঁজা উঠিল, আৰু দুয়ো ঈশ্বৰক চিন্তি বিদেশলৈ যাত্ৰা কৰিলে। এই দৰে দুয়ো গৈ থাকোঁতে বাটতে পৰি থকা এডাল দীঘল ফই কুঁজাৰ চকুত পৰিলত কুঁজাই মাত লগালে, "বান্ধ, এডাল বৰ দীঘল লেজু বাটতে পৰি আছে লম নে?" কণাই উত্তৰ দিলে, "লৈ থোৱাঁ বান্ধ, সিও এসময়ত উপকাৰ দিব পাৰে।" কণাৰ কথা শুনি কুঁজাই কণাৰ কান্ধৰপৰা নামি লেজুডাল সামৰি লৈ আকৌ কণাৰ কান্ধত উঠিল। এইদৰে গৈ থাকোঁতে বাটৰ কাষতে এমলা চূণ পৰি থকা দেখি কুঁজাই কণাক কলত, কণাই চূণ-মলাও লৈ থবলৈ কলত, কুঁজাই তাকো তুলি ললে। এইদৰে সিহঁত গৈ আছে, এনেতে পথাৰৰ মাজৰ আলিত গা ৰদাই থকা দুৰাকাছ এটা কুঁজাৰ চকুত পৰিলত কুঁজাই মাত লগালে, "বান্ধ, এটা দুৰাকাছ দেখিছোঁ।" কণাই ক'লে, "নামা, নামি লাহেকৈ গৈ কাছটো ধৰি লৈ আহাঁগৈ; কোনে জানে সিও সময়ত উপকাৰ দিব পাৰে।" কণাই এইদৰে পাচি দিলত কুঁজাই হাতত-সাৰে ভৰিত সাৰে গৈ কাছটো খপ্‌কৰে ধৰি লুটিয়াই পেলালে, আৰু পেলায়েই তাৰ বুকুত গোৰ এটা মাৰি দি কাছটো ধৰি লৈ আহিল।

এইদৰে দুয়ো গৈ গৈ গধূলিপৰত এক মহা অৰণ্যত ওলালগৈ। সেই অৰণ্যৰ মাজতে এটা ডাঙৰ ঘৰ দেখি কুঁজাই কণাক ক'লে, "বান্ধ, এইখন মহা অৰণ্য; গধূলিও হৈ আহিছে; তোমাৰো ভাগৰ লাগি আহিছে; ইয়াতে কাৰোবাৰ এটা ডাঙৰ ঘৰ দেখিছোঁ; ইয়াতে থাকি ৰাতিটো কটাওঁহঁক আহাঁ।" কণাইও "বাৰু" বুলি কুঁজাৰে সৈতে গৈ সেই ঘৰৰ দুৱাৰ-মুখ পাই দেখিলে যে ঘৰটোৰ ভিতৰত এটা বৰ ডাঙৰ ৰাক্ষস বহি টোপনিয়াই আছে। হঠাৎ ওলাই পৰা বিপদ দেখি কুঁজাই খপ্‌কৰে বাহিৰৰপৰা ঘৰৰ দুৱাৰখন মাৰি পেলাই ডাং দি খুন্দি খুন্দি মাৰি পেলালে। দুৱাৰ মৰাৰ শব্দ শুনি ৰাক্ষসৰ টোপনি ভাগিল; আৰু তেতিয়া সি দেখিলে মহাবিপদ,—কোনোবাই বাহিৰৰপৰা দুৱাৰ মাৰি তাক ঘৰৰ ভিতৰতে বন্দী কৰি পেলালে। সি যে এনেকৈ ঠেকত পৰিব, এইকথা ৰাক্ষসে আগেয়ে নাভাবিছিলেই; এতিয়া সেইদেখি সি নিৰুপায় হৈ ঘৰৰ ভিতৰতে চেপা-

খিয়াৰলৈ ধৰিলে। ভেঁডাউৰি শুনি কণা আৰু কুঁজা দুইও ওকাইদাং মাৰি খাহিৰৰপৰা মাত লগালে, "ভাই, আমি তোৰ ভাৰিলৈ ভয় কৰা ডকত নহওঁ। আমি তোতকৈও ডাঙৰ ধীৰ; তোৰ নিচিনাটোক আমি আমাৰ চুণৰ টেমিত ভৰাই থৈ চুণেৰে সৈতে পাণত সানি খাই থব পাৰোঁ বুলি জানিবি। তোক মোহাৰি মাৰিলে আমাৰ হাতত গোন্ধৰ বাহিৰে একো চিনেই নাথাকিব।" সিহঁতৰ কথা শুনি ৰাক্ষসে ভিতৰৰপৰা ক'লে, "তহঁত যে ইমান ডাঙৰ ধীৰ তাৰেই বা চিন কি?" সিহঁতে উত্তৰ দিলে, "তই যে ইমানকৈ ভিতৰত দমদমাই আছ, তয়েই বে বৰ বীৰ তাৰেই বা চিন কি?" এই কথা শুনি ৰাক্ষসে তাৰ মূৰৰপৰা চুলি এডাল উঘালি ঘৰৰ বাৰ আৰু ছালৰ পানীপাছৰ মাজৰ স্লুকগুইদি উলিয়াই দি সিহঁতক ক'লে—"চাচোন এইডাল মোৰ মূৰৰ চুলি কিমান ডাঙৰ?" কুঁজাই ততালিকে সেই স্লুকগুইদিয়েই, বাটত পাই অনা লেজুডাল সৰকাই দি ক'লে, "আমাৰো চুলি এডাল ছিঙি দিছোঁ, ধৰিবি।" লেজুডাল দেখিয়েই ৰাক্ষস কোঁচ-মোচ খাই পৰিল। সি ভাবিলে—আও! ইহঁতৰ ইমানডাল যদি চুলিয়েই হয়, তেন্তে ইহঁত বীৰকেইটাই বা কিমান ডাঙৰ! ৰাক্ষসে এইদৰে ভাবি থাকোঁতেই কুজাই ৰাক্ষসৰ চুলিডাল ডোখৰ ডোখৰকৈ ছিঙি পেলাই পেং;লাই কৰি মাত লগালে, "বৰ বীৰটোৰ চুলিতে চিন পালোঁ। বাৰু তোৰ মূৰৰ ওকণী এটা দেচোন চাওঁ কিমান ডাঙৰ?" ৰাক্ষসে এই কথা শুনি মূৰৰপৰা ওকণী এটা আনি সৰকাই কুজাৰ হাতত পেলাই দিলত কুজাই হো-হো-কৰে হাঁহি ওকণীটো ফুটাই, "হোঁ, মোৰ মূৰৰ এইটো ওকণী নি ফুটাচোন" বুলি দুবাকাছটো ৰাক্ষসক দিলে। ৰাক্ষস অবাক। সি কোনোমতেই দুবাকাছটো ফুটাব নোৱাৰিলে। তেতিয়া সি ভাবিলে, সঁচাকৈয়ে তাতকৈ ইহঁত ডাঙৰ বীৰ। এনেতে কণাই মাত লগালে, "হেৰ, তোৰ এচকু গাখীৰ আমাক দে আমি খাওঁ আৰু আমাৰ এইচকু গাখীৰ তই খাচোন।" এই বুলি চুণৰ মলাটো ৰাক্ষসৰ হাতত কুজাই দিলে। ৰাক্ষসেও ভিতৰৰপৰা তাৰ গাখীৰ এচকু উলিয়াই দিলে। ৰাক্ষস আগৰ দুটা কথাত লাজ পৰি আছিল, সেইদেখি চুণমলা পায়েই সি গাখীৰ বুলি একেসোহাই খাই পেলালে। চুণে ডকাত তং নাপাই ৰাক্ষস বলিয়া হ'ল আৰু শেহত সি নিজৰ জিভাখনকে আজুৰি ছিঙি ভেঁডাউৰিয়াই মৰি থাকিল।

কণা-কুঁজা বাডি খাহিৰতে থাকিল। পিছদিনা পুৱা সিহঁতে ৰাক্ষসটো মৰি পৰি থকা দেখি দুৱাৰখন মেলি ঘৰৰ ভিতৰ সোমাই দেখিলে যে তাত অনেক হীৰা, মুকুতা, সোণ, ৰূপ আছে। দুয়ো লেইবোৰ টোপোলা বান্ধি লৈ সিহঁতৰ গাঁৱলৈ উভতি আহিল। সিহঁতে ঘৰৰ ওচৰা-ওচৰি পালত, সোণ-ৰূপ-হীৰা-মুকুতাবোৰ ভগাই লবৰ মন কৰিলে। কুঁজাই এভাগত সৰহকৈ আৰু এভাগত তাকৰকৈ দি ভগাই কণাক এভাগ লবলৈ ক'লত, কণাৰ হাত সৰহীয়া ভাগত পৰিল। কুঁজাই দেখি "ভগোৱা বেয়া হৈছে" বুলি কৈ আকৌ আগৰদৰে ভগাই সৰহীয়া ভাগ নিজৰ ফালে আৰু তাকৰীয়া ভাগ কণাৰ ফালে থৈ কণাক লবলৈ ক'লত, ঈশ্বৰৰ ইচ্ছাত এইবাৰো কণাৰ হাত সৰহীয়া ভাগতেহে পৰিল। কুঁজাই ভাবিলে "ই কণাই কণা চকুৰেও কেনেবাকৈ দেখে।" ইয়াকে ভাবি সি কণাৰ চকু দুটা ভালকৈ ফুটাই দিবলৈ মন কৰি তাত এমুঠি বালি ঘঁহি দিলে। কিন্তু কণাৰ চকুত চামনি পৰিহে সি নেদেখা হৈ আছিল; এতিয়া তাত বালি ঘঁহি দিলত সেই চামনি কাটি গ'ল আৰু তাৰ চকুৰে দেখা হ'ল। সেইদেখি কণাই চকু মেলিয়েই কুঁজাৰ ফাঁকি বুজিব পাৰি, কুঁজাৰ কুঁজত এটা খিয়গোৰ মাৰি দিলে। গোৰ খাই কুঁজাৰ কুঁজ পোন হৈ গ'ল। তেতিয়া দুয়ো মিল হৈ সমানে ধনখিনি ভগাই লৈ ঘৰাঘৰি গুচি গ'ল।

ত্ৰিংশ সাধু

ককা—'সোণাই ঔ, আজি এটা কথাবাহী বুঢ়াৰ সাধু এটা কওঁ শুন"—

কথাবাহী বুঢ়া

এহাল বুঢ়া-বুঢ়ী আছিল, সিহঁতৰ মাথোন একোটি ল'ৰা। বুঢ়া-বুঢ়ীৰ ভাতে-ভঁৰালে, গৰুৱে-গাৰে সম্পূৰ্ণ আছিল আৰু দুয়ো অতি যত্নেৰে ল'ৰাটি তুলিতালি ডাঙৰ কৰি মহাসুখে ঘৰবাৰী চলাইছিল। সিহঁতৰ গাঁৱৰ কোনো মানুহেৰে দন্দ-হাই খিয়াল-হিংসা নাছিল; বৰং সকলোৱে সিহঁতক ভাবসা আৰু মান্য-সংকাৰ কৰিছিল আৰু পাৰ্য্যমানে যাৰে তাৰে সিহঁতে উপকাৰ হে কৰিছিল। ল'ৰাটিৰ ঘৰখন পাতি, পো-বোৱাৰীৰ বং-ধেমালি চাই মৰিবলৈ বুঢ়া-বুঢ়ীয়ে বৰকৈ হেঁপাহ কৰিছিল; কিন্তু নিষ্ঠুৰ কালে সেই আশা পূৰাবলৈ নিদিলে। বুঢ়া-বুঢ়ীয়ে লৰাটিক এজাল কুঢ়া দুজাল কৰিবলৈ নিদিছিল আৰু বজাৰ কোঁৱৰৰ দৰে ৰব আলসুৱা কৰি তুলিছিল। এইবাবে বুঢ়া-বুঢ়ী মৰিলত সি অকলশৰীয়া হৈ কি কৰিব ক'লৈ যাব লগাই মহা চিন্তাত পৰিল। সি যে ধনবাৰী একো কৰিব নাজানেই, অপৰি সি কথাবাৰ্তাতো এলাৰাহু। এনে অৱস্থাত সি খিয়া কথাবলৈ মন মেলি গাঁৱৰ

কেবাঘৰতো ছোৱালী ধৰিলেগৈ। তাক গাঁৱৰ সকলোৱে এলেৰাং বুলি জানি ছোৱালী দিবলৈ গেঁবোগেঁথোঁ কৰিলে। তেতিয়া সি ছোৱালী বিচাৰি কিছু দূৰ গাঁৱলৈ গ'ল; তাতে এঘৰ মানুহে তাৰ কথাবোৰ শুনি ছোৱালী দিবৰ মন কৰি ঘৰ-বাৰী চামগৈ বুলি কৈ তাক পঠাই দিলে; আৰু ইয়াৰ পিছত ঘৰদুৱাৰ চাই চিতি গঞাইঁতৰে চিনাকি হৈ সেই মানুহটিয়ে বিয়াৰ দিন-বাৰ চোৱাই ছোৱালীজনী এলেধাঙলৈ বিয়া দিলে।

ছোৱালীজনী বৰ চাবতিয়াল আৰু বুদ্ধিমতী আছিল। তাই ঘৰ গৰকিবেই জানিব পাৰিলে যে গিৰিয়েক অকামিলা মানুহ; নচেৎ মাটি-বাৰী, গৰু-গাই, দ্ৰব্য-বস্তু যিবোৰ বুঢ়া-বুঢ়ীয়ে থৈ গৈছে, তাৰে এঘৰ মানুহ ভালকৈ প্ৰৱৰ্ত্তিব পাৰে। ইয়াকে চাই তাই এদিন গিৰিয়েকক ক'লে বোলে সিহঁতৰ গাঁৱত কথাবাহী নামে বুঢ়া এটি আছে, সেই বুঢ়াৰ ওচৰলৈ গ'লে গিৰিয়েকে অনেক কথা শিকিব পাৰিব। এই কথাত গিৰিয়েক মান্তি হৈ পাচদিনা প্ৰাতসতে কথাবাহী বুঢ়াৰ ঘৰত ওলালগৈ। বুঢ়াই বহিবলৈ দি ডেকাক অহাৰ কাৰণ সুধিলে। ডেকাই সকলো কথা ভাঙি ক'লত বুঢ়াই গুটিদিয়েক প্ৰশ্ন কৰি ডেকা কিমান পানীৰ মাছ বুজি লৈ ক'লে, "বোপাই, তুমি কথা শিকিবলৈ হলে মোৰ ঘৰত এবছৰ থাকিলে হব।" ডেকাই ক'লে, "ঘৰত সুধি কাইলৈ কমহি।"

পাছদিনা লাগতিয়াল দ্ৰব্য-বস্তু লৈ সি কথাবাহীৰ ঘৰত সোমালহি। বুঢ়াই ডেকাৰ হতুৱাই এবছৰ খচি কাম কৰাই আহু, শালি মাহ, সৰিয়হ শাক, পাচলি, আলু, বেঙেনা, চঁচা-কণী, খৰাহি, পাছি, কুলা, চালনী, পাটী, ঢাৰি, জাকৈ, জুলুকি আদি সকলো বিধৰ হাতৰ বিদ্যা তাক শিকালে। ডেকাই খেতিয়কৰ সকলো বিদ্যাত পৈণত হৈ বছৰ উকলিলতে কথাবাহী বুঢ়াক অতি নম্ৰভাৱে জনালে, "আপদেও। বছৰ পূৰ হ'ল; আপুনি কি কথা শিকাব খুজিছিল শিকাই মোক বিদায় দিব লাগে।" বুঢ়াই ক'লে, "দুয়ো গা-পা ধুই খাই-বৈ আহিলে হে হব।" খাই উঠি দুয়ো চোতালত বহিলহি আৰু অলপ বেলি টলকা মাৰি থাকি বুঢ়াই ডেকাৰ ফালে চাই ক'লে, "বোপা। বাৰীৰ ভিতৰত কেলেহুৱা মানুহ নচপাবা। ন-চহকীৰ ধাৰ নকৰিবা; লাগিলে পুৰণি চহকীৰেই ধাৰ কৰিবা। তিৰোতাক বিশ্বাসী কথা নকবা। ৰজাৰ আগত মিছা কথা নকবা। এতিয়া তুমি তোমাৰ ঘৰলৈ যাব পাৰা" এই বুলি বুঢ়াই তাক আশীৰ্ব্বাদ কৰি বিদায় দিলে।

ডেকাই ঘৰমুৱা হৈ বাটে বাটে ভাবি আহিছে যে এবছৰ পাই-পইচা নোহোৱাকৈ তেওঁক পানী কৰি খাটি থাবে-ভচহ এইকিটা কথা হে পালোঁ। বাৰু এইকিটা কথাৰ প্ৰমাণ'.ৰ্ চোৱা যক। তাৰ আপোন খায়েক এজনী বাৰী হৈ ল'ৰা-ছোৱালী এহালেৰে লৈ-লৈ-থৈ-থৈ হৈ কুৰিছিল; সিহঁতৰ দুৰৱস্থা দেখি মৰম কৰি সি নিজৰ বাৰীলৈ তুলি আনি বাৰীৰ আগতে ঘৰ সাজি দি যতনকৈ সিহঁতক প্ৰতিপাল কৰিবলৈ ধৰিলে। তাৰ গাঁৱত এঘৰ ন-চহকী হৈ উঠি মানুহক মানুহ যেন জ্ঞান নকৰিছিল। সি এদিন গাখীৰ দুচুঙামান লৈ ন-চহকীক দেখা কৰি ক'লে, "ভাওৰীয়া! আজি এবছৰ মই লোকৰ ঘৰত পাই-পইচা নোলোৱাকৈ খাটি দি আহিলোঁ; ৰজাঘৰৰ খাজনা দিব লগা হ'ল; এতেকে অনুগ্ৰহ কৰি দহ টকামান ৰূপ ধাৰলৈ দিলে বৰ উপকাৰ হয়।" ন-চহকীয়ে লাহেকৈ মাত লগালে, "হেৰ! কাইলৈ আহিবি।" পাছদিনাও সি সেইদৰে পাণ-তামোলৰ টোপোলা এটা লৈ গ'ল; সেই দিনাও ন-চহকীয়ে তাক ওভোতাই পঠিয়ালে। এইদৰে চাত-ভেটি লৈ দহ-বাৰ দিন অহা-যোৱা কৰি শেষত সি লেখা এখন দি অতিকষ্টে দহ টকা ৰূপ আনি তাৰ ঘৰৰ পাৰী খুটাৰ বিন্ধাত সুমাই থলে। বাস্তৱতে তাৰ টকাৰ দৰ্কাৰ নাছিল; মাথোন কথা-বাহী বুঢ়াৰ কথাৰ প্ৰমাণ চাবলৈ হে সি তেনে কৰিছিল। তাৰ পাছত সি এদিন সেই গাঁৱৰে পুৰণি চহকী মানুহ এঘৰলৈও সেইদৰে ধন ধাৰলৈ বিচাৰি গ'ল। পুৰণি চহকীয়ে তাক দেখি বহিবলৈ দি, কিয় আহিছে বুলি সোধাত সি সেই কথাকে ক'লে। তেতিয়া গৃহস্থই মূৰে কপালে হাত দি বেজাৰ কৰি ক'লে, "অমুকাৰ ঘৰত কি নোহোৱা আছিল; এতিয়া তাৰ পুতেকে লোকত হাত পাতিব লগা হৈছে। হেৰ! ৰূপ একুৰি হে লাগে? বাৰু নে, যেতিয়া পাৰ দিবিহি।"

তাৰ পাছত সি ৰজাঘৰৰ ওচৰতে চাপৰি এটাত খেতি কৰিবলৈ ধৰিলে। তাত মাহ-সৰিয়হ খাবলৈ অনেক চৰাই আহে; সেইবাবে সি খেঁকেক, ছিটিকা, জাল পাতি নিতৌ চৰাই ধৰি তাতে মাৰি পাখি গুচাই আনি ঘৈণীয়েকক বান্ধিবলৈ দি সদায় খাইছিল। ৰজাৰ এটা মৰমৰ ম'ৰা চৰাই আছিল, সিও সদায় তাৰ খেতত পৰি অনিষ্ট কৰিবলৈ ধৰিলে। শেহত সি খেতৰ মাজতে ঘূৰণীয়াকৈ দ গাঁত এটা খানি ওপৰত তাল পাত দি ঢাকি থলে। পাছদিনা সি দেখে যে আন চৰাইৰ লগতে ম'ৰাটোও গাঁতত পৰি আছে। ম'ৰাক সি অতি যতনেৰে ধান-পানী দি ঢাকি ৰাখি ইবোৰ চৰাই মাৰি বখলিয়াই আনি ঘৈণীয়েকক ক'লে, "হেৰ! বহুত দিনৰপৰা ম'ৰাৰ মঙহ খাবৰ মন গৈছিল, আজি পাই আনিছোঁ; ভালকৈ বান্ধি দিবি দেই।" ঘৈণীয়েকে বোলে,

"ক'ত পালা, কেনেকৈ ধৰিলা কোৱাচোন ?" গিৰিয়েকে বোলে, "তোক ক'লে কটা যাব লাগিব।" ঘৈণীয়েকে বোলে, "এৰা, তাকে হে মোৰ কৰাবলৈ বাকী আছে। আমি যতে ততে অবিশ্বাসী।" এনে বোলাত গিৰিয়েকে কথাটোৰ থোৰ ভাঙি ক'লে। তেতিয়া তাই তাৰে মগুহ এসোপা লৈ জেশাহুয়েকৰ ঘৰলৈ নি "ভায়েকে ম'ৰা চৰাই এটা মাৰি আনিছে তাৰে এয়া আনিছোঁ, ৰান্ধি খাব" এনে বুলি কৈ, আহিব খোজোতেই শাহুৰেকে সুধিলে, "ক'ৰ ম'ৰা কেনেকৈ মাৰিলে মোক কচোন, ইমান ততাতৈয়া কিয় কৰিছ ?" তেতিয়া তাই থেৰোগেঁৰো কৰি থোৰতে কথাটো ক'লে।

ইপিনে ম'ৰা নেদেখি ৰজা-ঘৰত বিচাৰ লাগিল। ইটোৱে সিটোৱে কোৱামেলা কৰিবলৈ ধৰিলে যে অমুকাৰ খেতত দিনৌ ম'ৰাটো চৰেগৈ। অৱশ্যে সি হে কিবা কৰিব পাৰে। ৰজাৰ টেকেলাই গৈ গধূলি বায়েকৰ ঘৰত বহি ম'ৰাৰ কথা উলিয়াই অনেক চহ দিয়াত তাই ভায়েকৰ কথা কৈ দিলে। ইপিনে ভায়েকেও সজাগ হৈ ফুৰিছিল। এতিয়া কল-তলৰপৰা সি বায়েকে টেকেলাক কোৱা কথাবোৰ শুনি আহি ঘৈণীয়েকক ক'লে যে ৰজাৰ টেকেলা আহি তাক ধৰি-বান্ধি নিবহি, এতেকে সি ৰূপ পাঁচ টকা হাতত লৈ চাবিৰ মেৰত সোমাই থাকিল, সি ঘৰত নাই বুলি ঘৈণীয়েকে টেকেলাক কবলৈ ক'লে। টেকেলা আহি ঘৈণীয়েকক মাতি গিৰিয়েকৰ কথা সুধিলে। তাই বোলে "তেওঁ মোৰ পেহা হে হয়।" টেকেলাই বোলে, "থাকু পেহাৰ আৰু পেহীয়েৰ কলৈ গ'ল ক ?" তাই, "কব নোৱাৰো" বোলাত টেকেলাই তাইকে ধৰ বুলি বান্ধিবলৈ ক'লে। তেতিয়া তাই ভয়ত থক্ থক্ কৰে কঁপি ক'লে, "হেৰা পেহা! চাবিৰ মেৰৰপৰা ওলোঁৱা।" এনে বোলাত টেকেলাই গোৰ মাৰি দিয়াত চাবিৰ মেৰৰপৰা গিৰিয়েক ওলাই পৰিল। টেকেলাই ধৰি বান্ধোতে গিৰিয়েকে টেকেলাক ৰূপ পাঁচকটা দি ক'লে, "ককাই! মোক যেন অনুগ্ৰহ কৰি ন-চহকী আৰু পুৰণি-চহকীৰ ঘৰৰ দুৱাৰ-মুখেদি ৰজাৰ ঘৰলৈ নিবা।" টেকেলাই "একো টান কথা নহয়" বুলি পোনতে তাক ন-চহকীৰ ঘৰলৈ নিলে; তাতে ন-চহকীয়ে টেকেলাক ক'লে, "ই মহা চোৰ; ইয়াৰ তাপত মানুহে হাঁহ পাৰ, ছাগলী ৰাখিব নোৱাৰে। ই হাঁহ, পাৰ, ছাগলী খোৱাৰ যম। ই মোৰ ল'ৰা-টোক ফুচুলাই সিদিনা ৰূপ দহ টকা ধাৰলৈ নিলে। চোৰৰপৰা আৰু পোৱা যাব নে ?" ইত্যাদি ৰূপে বলকি থং কৰি ন-চহকী ৰজা-ঘৰলৈ যাবলৈ ওলাল। তাৰ পাছত তাক পুৰণি-চহকীৰ ঘৰলৈ নিলত দুহয়াই বুকে-কপালে হাত দি টেকেলাক ক'লে, "বোপাই ই ল'ৰা কদাপি চোৰ নহয়; মই ইহঁতৰ ঘৰক ভালকৈ জানো। তোমাৰ কিবা ভ্ৰম হৈছে, টকাদিয়েক লৈ এৰি দিয়া।" এনে বুলি কৈ পুৰণি-চহকীও টোকেদাৰ লগত ৰজা-ঘৰলৈ যাবলৈ ওলাল।

ৰজাৰ আগলৈ নিলত ন-চহকীয়ে যিমান পাৰে সিমান তাৰ বদ্‌নাম ৰটিবলৈ ধৰিলে, কিন্তু পুৰণি-চহকীয়ে ৰজাক বুজাই-বুজাই ক'লে, "মহাৰাজ! ই ল'ৰা চোৰ-চেচোঁৰ নহয়। স্বৰ্গদেৱৰ এটা ম'ৰা হেৰাইছে, ৰপীয়ে তেনে ম'ৰা দুটা তিনিটা অনাই দিম। সি অপৰাধী হলেও স্বৰ্গদেৱে লঘু দণ্ড দিব লাগে আৰু দণ্ড দিয়াৰ আগেয়ে তাক এবাৰ সোধা যুগুত।" ৰজাই তাক সোধাত সি ক'লে, "মহাৰাজ! ন-চহকীয়ে কোৱামতে মই চোৰ, মোৰ একো কব লগীয়া নাই।" তেতিয়া ৰজাই তাক শূলত দিবলৈ হুকুম দিলে। তাক নিবলৈ ধৰোতেই সি ক'লে,—

"কিনো কালৰ মেহা।
তিৰোতাই বুলিলে পেহা॥
তিৰিক নিদিবা হিত।
গাতৰ ভিতৰত ধৰে ম'ৰাছালি,
স্বৰ্গদেৱৰ চঞ্চল চিত॥"

পুৰণি চহকীয়ে বোলে, "মহাৰাজ! সি কিবা এটা কৈছে; আনি সোধক।" ৰজাই আৰু মতাই আনি সোধাত সি সেই কেকাকি কথাকে আকৌ মাতিলে। তেতিয়া ৰজাই তাক কথাটো ভাঙি ক'বলৈ কোৱাত সি কথাৰাখী বুঢ়াৰপৰা যি কিটা কথা শিকিছিল সেইকিটা সম্পূৰ্ণ সঁচা নে মিছা তাৰ প্ৰমাণ চাই তাৰ ফলিওৱা কথাটো ক'লে। সি ক'লে "মহাৰাজ! মই ম'ৰা খোৱা নাই, মানুহ পঠিয়ালে খেতৰ মাজৰ গাঁতত ম'ৰাই ছালি ধৰি থকা পাব।" কথাটো শুনি ৰজাই তাৰ খেতলৈ মানুহ পঠিয়াই দিলত, ৰজাৰ মানুহে সেইমতে ম'ৰা পাই লৈ আহিল। সি আকৌ ক'লে,—"ন-চহকীৰ দহ টকা ৰূপ মই খৰচ কৰা নাই, পাৰিখুটাৰ কোঁপতে থৈ দিছোঁ; স্বৰ্গদেৱে অনাই তেওঁক দিয়াব পাৰে। পুৰণি-চহকীৰ ৰূপ কুৰি টকা নিও অইন এটা পাৰিখুটাৰ কোঁপত থোৱা হৈছে; কিন্তু তেওঁ এনে সাধু যে সেই কথা শুনিয়াই মোক ৰাখিবৰ নিমিত্তে আৰু ৰূপধান খৰচ কৰিবলৈহে হে আগবাঢ়িছে। কেনেহৈতাক মৰীচ ঠাই দিয়া, তিৰোতাক বিশ্বাসী কথা কোৱা আৰু ৰজাৰ আগত মিছা কোৱাৰপৰা মোৰ প্ৰাণৰ সংশয় হৈছিল।" এই বুলি সি গোটেইখোৰ কথা ভাঙি ক'লে।

ৰজাই তব্ধ লাগি থাকি ন-চহকীক অনেক তিৰস্কাৰ কৰি খেদাই দিলে। কথাৰাখী বুঢ়াক ৰজাই আনি ৰাজসভাৰ মেনুৱাই পাতিলে আৰু পুৰণি-চহকীক

বিশ্বাসী ডাঙৰ বিষয় এখন দিলে। আগৰ এলেবাঙৰ ৰজাঘৰৰ বিশ্বাসী ভিতৰুৱাল বিষয়া পাতিলে।

একবিংশ সাধু

ককাৰক আজি জুহালৰ ওচৰত বহি নমতা-নোমোলাকৈ থকা দেখি নাতিয়েকে ওচৰ চাপি গৈ মাত লগালে, "ককাদেউতা, আজি তোমাৰ কি হ'ল? মোৰ কালে নোচোৱাই দেখোন?

ককা।—"তোৰ ওপৰত মোৰ খং উঠিছে, সেই-দেখি।"

নাতি।—"মই নো কি কৰিলো ককাদেউতা?"

ককা।—"তই আৰু কি কৰিবি, দোষ কৰিছ।"

নাতি।—"কি দোষ ককাদেউতা?"

ককা।—"ধৰ দোষ। তই আজি মাৰৰ খটাৰ তামোল কটাৰীখন লৈ গৈ বাঁহৰ কাঠি এডাল চাঁচি কটাৰীখনৰ মুখন ভোটা কৰিছিলি, মই দেখি আছিলো। পিছে যেতিয়া মাৰে কটাৰীখন কোনে তেনে কৰিলে বুলি বাকে তাকে সুধিছিল, তই সেই কথা শুনিও সৈ নাকাঢ়ি মনে মনে আছিলি। দোষ সৈ কঢ়াটো ওখ মন আৰু সাহৰ চিনাকি, মানুহ মাত্ৰকেই দায়-অপৰ কৰেই; কিন্তু আগলৈ তেনে নকৰিবলৈ মনতে থিৰাং কৰি খোলা মনেৰে যি সৈ কাঢ়ে সি হে মানুহ। তেনে কৰিলেহে তই সাহিয়াল পুৰুষ হব পাৰিবি, নহলে নোৱাৰ।"

নাতি।—"আজিৰপৰা ককাদেউতা মই ঠিক কৰিছোঁ, নিশ্চয় নিশ্চয় মোৰ দোষ সৈ কাঢ়িম আৰু আগলৈ তেনে দোষ নকৰিবলৈ মনতে থিৰাং কৰিম। আজিৰ মোৰ অপৰাধ ক্ষমা কৰা ককাদেউতা।"

ককা।—"কৰিলোঁ ক্ষমা। এতিয়া মোৰ ওচৰ চাপি আহ, চুমা এটা দে, আৰু সাধু এটা শুন।"—

নিমাতী কন্যা

এক ৰজা আছিল। ৰজাৰ ল'ৰা-ছোৱালী একোৱেই নাই। এদিন ৰজা মৃগয়া কৰিবলৈ বাওঁতে এজন সন্ন্যাসীক লগ পালে। ৰজাই সন্ন্যাসীৰ আগত তেওঁৰ ল'ৰা-ছোৱালী নোহোৱাৰ বিষয় জাতি ক'লত সন্ন্যাসীয়ে ৰজাক এটা গছৰ গুটি দি ক'লে, "এই গুটিটো আপোনাৰ মাইকে খুৱাব; খুৱালে তেওঁৰ দুটি পুত্ৰ হব, কিন্তু প্ৰথমে হোৱা সন্তানটি মোক দিব লাগিব।" ৰজাই সেই কথাতে মান্তি হৈ ফলটি লৈ ঘৰলৈ গুচি আহিল, আৰু ঘৰ পাই সেই ফলটো মাইকে খাবলৈ দিলে। কিছুমান দিনৰ পাছত ৰাণীয়ে ক্ৰমান্বয়ে দুটি পুত্ৰ-সন্তান লাভ কৰিলে। লাহে লাহে ল'ৰা দুটি ডাঙৰ হ'ল, দুয়ো দুইকো ভাল পায় আৰু একেলগে খেমালি কৰি ফুৰে। ৰজাই ল'ৰা দুটিৰ ৰেহ-ৰূপ চাই আনন্দতে বিভোল হ'ল; সন্ন্যাসীৰ কথা একেবাৰেই পাহৰিলে। সিপিনে সন্ন্যাসীয়ে দিন-বাৰ লেখি আছিল। ল'ৰা দুটিৰ প্ৰথমটিৰ যোল বছৰ আৰু দ্বিতীয়টিৰ পোন্ধৰ বছৰ হ'লত এদিন সন্ন্যাসী আহি ৰজাৰ নগৰত ওলালহি, আৰু ৰজাক পূৰ্ব্বৰ কথা সোঁৱৰাই দি ৰৰটো কোঁৱৰ খুজিলে। ৰজাইও অন্য উপায় নেদেখি তেওঁৰ প্ৰিয় পুত্ৰ বৰ-কোঁৱৰক সন্ন্যাসীৰ হাতত সমৰ্পণ কৰিলে।

কোঁৱৰে যেৰশাললৈ গৈ এটা সুন্দৰ ঘোৰা বাছি ললে; তেওঁৰ অতি উত্তম সাজ পিন্ধি মূৰত এটা পাগুৰি মাৰিলে, আৰু পাগুৰিৰ পাছফালে এডোখৰ কাপোৰ ওলোমাই ললে। পাছে সকলোকে খিদায় লৈ ঘোৰাত উঠি কোঁৱৰ সন্ন্যাসীৰ পাছে পাছে যাবলৈ ধৰিলে। এইদৰে তিনি দণ্ডমান ঘোৰাৰ পাছত কোঁৱৰে কিছুমান ঘৰ দেখিবলৈ পালে; সেই ঘৰবিলাকেই সন্ন্যাসীৰ আশ্ৰম। কোঁৱৰে বাটৰ চিন ৰখাৰৰ মনেৰে ওলোমাই ৰখা পাগুৰিডোখৰ ফালি ফালি ওৰেবাটে পেলাই গৈছিল, এতিয়া আশ্ৰম পালত আৰু ফালিবলৈ এৰিলে। সন্ন্যাসীৰ আদেশমতে ঘোৰাৰপৰা নামি কোঁৱৰ এটা ঘৰত সোমাল। তাত তেওঁ এখন ভয়ঙ্কৰ কালী গোসাঁনীৰ মূৰ্ত্তি আৰু কোষা-অৰ্ঘা, শঙ্খ-ঘণ্টা আদি পূজাৰ অনেক সঁজুলি দেখিবলৈ পালে। কোঁৱৰক সেই ঘৰত সুমাই থৈয়েই সন্ন্যাসী গা ধুবলৈ গ'ল। ইপিনে কোঁৱৰে অন্য কেইটা ঘৰত কি আছে চাবলৈ আহি দেখে যে, এটাত কিছুমান মানুহৰ কটা মূৰ শাৰী শাৰীকৈ ওলোমাই থোৱা আছে। সেই কট-মূৰ কেইটাই কোঁৱৰক দেখা-মাত্ৰেই হাঁহিবলৈ ধৰিলে, কিন্তু একোকে নক'লে। আন এটাত সোমাই কোঁৱৰে কিছুমান মানুহৰ তেজ ডাঙৰ ডাঙৰ চাৰিটা থালিত ভৰাই থোৱা দেখা পালে। এইবিলাক দেখি-শুনি কোঁৱৰৰ বিচুত্তি হ'ল। ইতিমধ্যতে সেই সন্ন্যাসী বেশধাৰী ৰাক্ষস আহি পালেহি, আৰু কোঁৱৰক সেই গোসাঁনী মূৰ্ত্তিৰ আগত অষ্টাঙ্গে প্ৰণাম কৰিবলৈ ক'লে। কোঁৱৰেও সেইদৰে কৰিলত হাতত খড়্গ লৈ সেই ৰাক্ষসে তেওঁক গোসাঁনীৰ আগত বলি দিলে।

ইফালে, সৰু কোঁৱৰে ককায়েকৰ বহুদিন একো খবৰ নেপাই, পিতাকৰ আদেশমতে এটা ঘোঁৰাত উঠি ককায়েকক বিচাৰি গ'ল। এওঁ ককায়েকৰ পাগুৰিৰ চিনে চিনে গৈ সেই ঠাই পালেগৈ। সেই সময়ত সন্ন্যাসীৰ বেশ ধৰা ৰাক্ষস ঘৰত নাছিল। কোঁৱৰ গৈ পোনেই মানুহৰ কটা মূৰবোৰ থকা খোটালিত সোমালগৈ। সেই কটা মূৰবোৰে কোঁৱৰক দেখি হাঁহিবলৈ ধৰিলে, আৰু তাতে কোঁৱৰে ককায়েকৰ কটা মূৰটোও দেখিবলৈ পালে। সেই মূৰটোৱে মাত লগালে—"ভাইটি, তুমি ইয়ালৈ কেলৈ আহিলা? এই সন্ন্যাসী আচল সন্ন্যাসী নহয়—ৰাক্ষস হে। তোমাক দেখিলে ই কাটিবলৈ মন কৰি গোসাঁনীৰ আগত প্ৰণাম কৰিবলৈ কব, তেতিয়া তুমি, মই ৰজাৰ ল'ৰা প্ৰণাম কৰিব নেজানো বুলি কবা। তেতিয়া সন্ন্যাসীয়ে প্ৰণাম কৰি দেখুৱাই দিব। সেই ছেগতে তুমি খড়্গখন তুলি লৈ একে-কোবেই ৰাক্ষসক কাটি পেলাবা। তাৰ পাছত গোসাঁনীৰ ওচৰত থকা অমৃতৰ কলহৰপৰা অমৃত আনি আমাৰ মুখত দিবা, আমি তেতিয়া আমাৰ পূৰ্ব্বৰ দেহা পাম।" ইয়াৰ পাছত সৰু-কোঁৱৰ জিভা লহ লহ কৰি থকা কালী মূৰ্ত্তিৰ মন্দিৰত সোমাল। এনেতে সন্ন্যাসী ওলালহি, আৰু অকস্মাৎ এটা সুন্দৰ ৰাজকোঁৱৰক তেওঁ তেওঁৰ ঘৰত দেখি মনত বৰ বং পালে। তেতিয়া কোঁৱৰে সন্ন্যাসীক সুধিলে যে তেওঁৰ ককায়েক ক'লৈ গ'ল? 'সন্ন্যাসীয়ে তেওঁক গোসাঁনীৰ আগত বলি দিয়াৰ কথা নকৈ "ঘহু দূৰৈ বাটলৈ গৈছে, দুদিন-মানৰ পাছত আহি পাবহি" বুলি ক'লে। তাৰ পাছত সন্ন্যাসীয়ে কোঁৱৰক ক'লে, "কোঁৱৰ, তুমি এই ঠাইলৈ আহিলা যেতিয়া গোসাঁনীক সেৱা নকৰাকৈ যাব নেপায়। তোমাৰ মঙ্গলৰ অৰ্থে এই কালী গোসাঁনীৰ আগত এবাৰ প্ৰণাম কৰা।" তাতে কোঁৱৰে ক'লে, "মই ৰজাৰ ল'ৰা, প্ৰণাম কৰিব নেজানো।" "আৰু চোৱা, এইদৰে কৰিবা" বুলি সন্ন্যাসীয়ে গোসাঁনীৰ আগত প্ৰণাম কৰি দেখুৱাওঁতেই কোঁৱৰে হাতত খড়্গ তুলি লৈ গাৰ বলেৰে সন্ন্যাসীৰ ডিঙিত থাপ্ মাৰি দিলে। বিকট চিঞৰ মাৰি ৰাক্ষস সন্ন্যাসী মৰি থাকিল।

ইয়াৰ পিছত কোঁৱৰে কলহৰ অমৃত আনি সকলোটি কটা মূৰৰ মুখত অলপ অলপ দিলত এটাইবিলাক ৰজাৰ ল'ৰাই পূৰ্ব্বৰ দেহা পালে।

সেই ৰাক্ষসৰ এজনী ভনীয়েক আছিল। ৰাক্ষস মৰাৰ সময়ত তাই অৰজন দেখি লৰি আহিল। কোঁৱৰে শত্ৰু ভাবি তাইকো কাটিবলৈ ধৰিছিল, পাছে তাই ক'লে, "কোঁৱৰ, মোক নেকাটিবা, মোৰ ককাইক মৰাৰ নিমিত্তে মই তোমাৰ একো প্ৰতিশোধ নলওঁ বৰং এটা উপকাৰহে কৰিম।" এটাইবিলাক কোঁৱৰে সৰু কোঁৱৰক ধন্যবাদ দি নিজ নিজ ঘৰলৈ গ'ল। সৰু কোঁৱৰ আৰু ৰাক্ষসী দুয়ো এটা পৰ্ব্বতৰ ওচৰলৈ গ'ল। তাতে এটা ডাঙৰ শিল ৰাক্ষসীয়ে গুচাই দিয়াত ৰব সুৰুঙ্গ এটা ওলাল। সেই সুৰুঙ্গইদি দুয়ো নামি গ'ল। তাত এখন সুন্দৰ নগৰ কোঁৱৰে দেখিবলৈ পালে। সেই নগৰৰ ভিতৰলৈ কোঁৱৰ আৰু ৰাক্ষসী দুয়ো সোমাই গৈ মানুহ-দুনুহ একোকে দেখা নেপাই এটা ভাল ঘৰৰ ভিতৰলৈ গ'ল। তেওঁ-লোকে তাত এখন অতি মনোৰম শয্যাত এজনী সুন্দৰী ছোৱালী বহি থকা দেখিলে, ওচৰত কেৱেই নাই। এই কন্যাজনী এক ৰজাৰ জীয়াৰী। জন্মৰে পৰা এই ছোৱালীজনীৰ মাত-বোল নাই। এদিন ৰজাই সপুনত দেখিবলৈ পালে যে "যেয়ে এই ছোৱালী-জনীৰ মাত উলিয়াব পাৰিব সেয়ে এইৎ স্বামী হব; আৰু ছোৱালীক সেই পৰ্ব্বতটোৰ শিলটো দাঙি তাৰ তলৰ নগৰখনত থব লাগে।" ৰজাইও সেই মতেই কৰিলে। নিমাতী কন্যাৰ ওচৰত এজোপা সুন্দৰ গছ আছিল, সেই গছজোপা ৰূপৰ, তাৰ পাত-বিলাক সোণৰ আৰু তাত মাণিক লাগি লাগি থাকে।

"সোণৰ গছ, ৰূপৰ পাত।
মাণিক লাগি লাগি থাকে তাত॥"

নিমাতী কন্যাৰ ওচৰত আৰু পাঁচ ৰকমৰ পাঁচোটা বাজনা আছিল, আৰু যেতিয়া নিমাতী কন্যাই মাতিব, বাদ্য পাঁচোটা সেই সময়তে একেলগে বাজিব।

"নিমাতী কন্যাই মাতে।
পাঁচ বাজন বাজে॥"

ৰাক্ষসীয়ে বাটত আওঁতে কোঁৱৰক শিকাই গৈছিল, যে নিমাতী কন্যাৰ ওচৰত তেওঁ সাধু কব; ৰাক্ষসীয়ে মায়া কৰি সেই সাধু শুনি থাকিব; কোঁৱৰেও সেই মতেই সাধু জুৰিলে। ৰাক্ষসীয়ে মায়া কৰি প্ৰথমে নিমাতী কন্যাৰ ওচৰত থকা এগছ বন্তিত এটা মাখি হৈ পৰি শুনিবলৈ লাগিল।

(১)

"এক বুঢ়া-বুঢ়ী আছিল, জানিছা বন্তি। সিহঁতৰ এটা সৰু ল'ৰা আছিল। ল'ৰাটোক এটা পজাৰ মাজত সুমাই দি উমলি থাকিবলৈ এবাটি পানী দি বুঢ়া-বুঢ়ী ধান দাবলৈ গ'ল আৰু ওচৰত এটা মৰমৰ পোহনীয়া নেউলক বহীয়া থৈ গ'ল, জানিছা বন্তি। এজোৰ গোম-ধুনুী সাপৰ পিয়াহ লাগিলত সিহঁতে বহুত ঠাইত বিচাৰি পানী খাবলৈ নেপালে। পাছে ধুনুীয়ে সেই ল'ৰাটোৰ ওচৰত পানীবাটি থকা দেখা পাই তালৈকে আহিল আৰু পজাৰ ভিতৰৰ

খাজেদি মূৰ ফুৰাই পানী খাই গ'লহি। গুমুনী ছিৰোতা আতি, ল'ৰালৈ মৰম লাগি তাই একোকে নকৰিলে; কিন্তু মতাটোৱে আবপৰা পানী খালে ল'ৰাক খাব বুলি তাই গোমৰ আগত পানী খোৱাৰ কথা নক'লে। কিন্তু গোমে তাই পানী খোৱাৰ গম পাই সুধিলে, "গুমুনী, তই ক'ত পানী খালি ক?" গুমুনীয়ে ক'লে, "মই পানী খাবলৈ পোৱা নাই।" তেতিয়া গোমে ক'লে, "নহয়, তই য'তে পানী খাইছ ক, ক'লেহে এৰিম।" উপায় নেপাই গুমুনীয়ে ক'লে। কিন্তু, ল'ৰাটোক নেখাবলৈ বুলি দঢ়াই দঢ়াই তাই গিৰিয়েকক শপত খুৱালে। পাছে গোম গৈ ল'ৰাটোৰ ওচৰ পালে, আৰু বাটিত পানী দেখি বং পাই খাবলৈ ধৰিলে। অতে একো নজনা সৰু ল'ৰাই সাপ বুলি নেজানি গোমৰ মূৰত থপিয়াবলৈ ধৰিলে। গোমৰ খং উঠি গুমুনীৰ আগত খাই অহা শপত সি পাহৰি গ'ল, আৰু ল'ৰাটোৰ মূৰত খোঁট মাৰি দিলে। কিছুমান পৰ বিষৰ যন্ত্ৰণা ভুগি ল'ৰাটো মৰি থাকিল। গধূলি পৰত বুঢ়া-বুঢ়ী আহি দেখে ল'ৰা মৰিল। সাপে খোৱা চিন পাই সাপে খাই মাৰিলে বুলি জানি বুঢ়া-বুঢ়ীয়ে কান্দিবলৈ ধৰিলে। ইয়াৰ ভিতৰতে নেউলটো "সঞ্জীৱনী মাটি" আনিবৰ কাৰণে পৰ্ব্বতলৈ গৈছিল। এনেতে নেউলটো আহি পালেহি। 'কটা মোৰ ল'ৰাক এৰি তই কলৈ গৈছিলি, তই থাকোঁতেও মোৰ ল'ৰাক সাপে খালে' বুলি বুঢ়াই নেউলক বেজাৰত এটাঙোন গোধাই দিলে, তাতে নেউল মৰি থাকিল। এনেতে ওচৰৰ এজনী মানুহে ক'লে, 'বুঢ়া! নেউলৰ মুখত সঞ্জীৱনী মাটি থাকে; আছে যদি তাৰে একণ ল'ৰাটোৰ মুখত দিয়াচোন, কিজানি ল'ৰাটো জীয়েই।' বুঢ়াই নেউলটোৰ মুখত মাটিকণ পাই আনি ল'ৰাৰ মুখত দিলত ল'ৰা জী উঠিল। এতিয়া বুঢ়া-বুঢ়ীয়ে নেউলৰ নিমিত্তে কান্দিবলৈ ধৰিলে, জানিছা বন্তি!" বন্তিত পৰি থকা মাখিটোৱে "বোঁ" বুলি শলাগিলে। কোঁৱৰে আৰু এটা নতুন সাধু আৰম্ভ কৰিলে। বাৰুণীয়ে মায়াৰূপ ধৰি মাখি এটা হৈ নিদ্ৰাতী কন্যাৰ বিহাৰ আঁচলত পৰিলগৈ।

(২)

"এখৰ গিৰিহঁতৰ এটা চোকা কুকুৰ আছিল, জানিছা আঁচল। এদিন কেইটামান চোৰ আহি সেই মানুহ-ঘৰৰ বস্ত্ৰ-খেহানি এটাইবিলাক চুৰ কৰি লৈ গ'ল, জানিছা আঁচল। পাছে কুকুৰে ইয়াকে দেখি ভউ-ভউ কৰি ভুকিবলৈ ধৰিলে। গিৰিহঁত কোনেও সাৰ নেপালে। চোৰে বস্তবোৰ চোচোৰাই বগৰাই নি বাঁহৰ তল পোৱালেগৈ। তেনেতে কুকুৰে গিহঁতৰ হাতে-ভৰিৰে কামুৰিবলৈ ধৰিলে, জানিছা আঁচল। আৰু চোৰে ভং নেপাই বস্তবোৰ এৰি গুচি গ'ল। পাছদিনা গিৰিহঁতে সাৰ পাই পেৰা-পেটাৰিয়ে সৈতে বস্তবোৰ নোহোৱা দেখি বিচুতি হ'ল। ইটো সিটো কৰি অনেক মানুহ গোট খালেহি। সকলোৱে বস্ত্ৰ চুৰিৰ বিষয়ে গলা-গোপা কৰিবলৈ লাগি গ'ল। ইফালে কুকুৰটোৱে ঘনে ঘনে গিৰিহঁতৰ মুখলৈ চাই বাঁহতলৰ ফালে লৰি গৈ ভো-ভোৱাবলৈ ধৰিলে। গিৰিহঁতৰ খং উঠি 'উঃ কটা তই এতিয়া মোৰ মুখলৈ চাই ভো-ভোৱাবলৈ আহিছ? ৰাতি চোৰ আহোঁতে কি কৰিছিলি?' বুলি এডাল টাঙোনেৰে মাৰ মাৰি মাৰি পেলালে। তাৰ পাছত এজনী মানুহে বোলে, 'হেৰা কুকুৰটোৱে নো বাঁহৰ তলৰ ফালে কিয় লৰি গৈছিল চোৱাচোন' বুলি কোৱাত গিৰিহঁতজন গৈ বাঁহৰ তলত থিয় হ'ল, আৰু তাতে তেওঁৰ বস্ত্ৰ পেটা-ৰিয়ে সৈতে সকলোবিলাক ওলাল। গিৰিহঁতে উপকাৰী কুকুৰৰ নিমিত্তে কান্দিবলৈ ধৰিলে, জানিছা আঁচল।" আঁচলতে পৰি থকা মাখিটোৱে "বোঁ" কৰিলে।

এনে সময়তে নিদ্ৰাতী কন্যাৰ এটা হামি আহিল। মাখিটো কন্যাৰ মুখত সোমাই পেট পালেগৈ। কোঁৱৰে আৰু এটা সাধু আৰম্ভ কৰিলে; আৰু এইবাৰ কন্যাকে সম্বোধন কৰি কবলৈ ধৰিলে।

(৩)

"এক সদাগৰ আছিল। তেওঁৰ এটা সুন্দৰ মৰমৰ মইনা চৰাই আছিল, জানিছা কন্যা! এদিন সদাগৰ বেপাৰ কৰিবলৈ গ'ল। মইনাক ঘৰৰ গৰাকী পাতি চাকৰ-নাকৰক মইনাৰ হুকুমমতে চলিবলৈ তেওঁ কৈ গ'ল; জানিছা কন্যা। সদাগৰৰ এডৰা ধান আছিল। ধানডৰা দাবৰ হ'ল। চাকৰবিলাকে মইনাক বুধি সুধিলে। মইনাই ধান দাবলৈ নিদি গোটেইডৰা ধানতে জুই লগাই দিবলৈ ক'লে। ধান পুৰি ছাই হ'ল। পাছে মইনা গৈ ডাঙৰ পৰ্ব্বতৰপৰা বহুত পৰ্ব্বতীয়া মইনা মাতি আনিলে, আৰু সেই পোৰা ধানত লগাই দিলে; জানিছা কন্যা! সেই মইনাবিলাকে ধানৰ আখৈ খাই সোণ লাদিবলৈ লাগিল; জানিছা কন্যা। তাৰ পাছত পোহনীয়া মইনাই এটাইবিলাক ধানৰ ছাই মইনাৰ লাদৰে সৈতে টোপত বান্ধি থবলৈ ক'লে। চাকৰবিলাকেও সেইদৰে কৰিলে। সদাগৰ বেপাৰৰপৰা আহি ধান কিমান হ'ল বুলি সোধাত চাকৰবিলাকে সকলো কথা ভাঙিপাতি ক'লে। তাতে সদাগৰৰ খং উঠি 'তোক ইয়াকে কৰিবলৈ কৈ গৈছিলোঁ?' বুলি একে চাপৰে মইনাক মাৰি পেলালে; জানিছা কন্যা! পাছে সদাগৰৰ খং মাৰ গ'লত চাকৰবিলাকক তেওঁ ক'লে 'বাৰু টোপ কেইটা আনইকচোন! তাত নো কি আছে চাওঁ।'

চাকৰহঁতে চোৰ আনিলত মেলি চাই ছাইৰ লগত এটাইবিলাক সোণ দেখি সদাগৰে আচৰিত মানিলে আৰু 'মইনাই ভালকৈহে কৰিছিল' বুলি মইনাৰ বেজাৰত কান্দিবলৈ ধৰিলে ; জানিছা কন্যা।" মাখিৰূপী ৰাক্ষসীয়ে নিমাতী কন্যাৰ পেটৰ ভিতৰৰ পৰা "বোঁ" কৰিলে। পাঁচ-বাদ্য বাজিবলৈ ধৰিলে। বাদ্য বজা শুনি নিমাতী কন্যাৰ পিতাক লৰি আহিল, আৰু সেই ৰূপৰ গছজোপা, পাঁচ বাদ্য আৰু অনেক ধন-সম্পত্তি তেওঁ যৌতুকত দি নিমাতী কন্যাক কোঁৱৰলৈ বিয়া দিলে। কোঁৱৰেও সুন্দৰী কন্যা লাভ কৰি আনন্দ মনেৰে নিজৰ দেশলৈ গুচি আহিল।

দ্বাবিংশ সাধু

ককা।—"আজি এটা সাধু কম, সেইটো তই সদায় মনত ৰাখিবি।"

নাতি।—"ৰাখিম ককা। সেইটো নো কি সাধু কোৱা ককাদেউতা ?"

ককা—"শুন"—

নোমল আৰু সোণপাহী

এখন গাঁৱত এহাল মতা-মাইকী আছিল। মতাটোৰ নাম কন্দাই আৰু মাইকীজনীৰ নাম ডাৱহী। সিহঁতহাল ঘৰ মিলা-প্ৰীতিৰে ঘৰ-খাৰী কৰি আছিল। ঘৈণীয়েকে পুৱাই উঠি ঘৰ-চোতাল সাৰি-মচি ঘৰ পৰিকাৰকৈ ৰাখি ৰন্ধা-বঢ়া কামত লাগে ; ইপিনে গিৰিয়েকটোৱেও সেইদৰে পুৱাতে উঠি খাহী-ঘৰ চিকুণাই খেতৰ খেতিত লাগে। দুয়ো ঘহি-শুই নাথাকি মাইকীয়ে মাইকীৰ ধন আৰু মতাই মতাৰ ধন কৰি থাকে। বাৰীত সকলো খিধৰ শস্য কই লৈছিল ; আম, কঁঠাল, লেটেকু, পনিয়ল, পাণ, অমোল, টেঙা, কল আদি একো নোহোৱা নাছিল। হাঁহ, পাৰ, গৰু-গাই, মহ, ছাগলী সকলো ৰাখি দুয়ো মহা সুখে-সন্তোষে গৃহবাস কৰিছিল। মুগা-এড়ি পুহি কাপোৰ কানিৰ কালেও নেহেৰা নাছিল ; কাৰণ মাইকীজনী বোৱা-কটাত খৰ পাৰ্গত আছিল। মুঠতে কবলৈ গলে কন্দাইক তাৰ গাঁৱত চহকী বুলিব লাগে ; তাৰ ভাতে-ভঁৰালে সম্পূৰ্ণ আছিল।

সিহঁতহালৰ ছটা ল'ৰা হ'ল,—সিহঁতৰ নাম মহাই, বন্ধাই, বদাই, বৰুৱ, বপু আৰু নোমল। ছোৱালী হোৱা নাছিল। সিহঁত কেউটাও মাক-বাপেকক দেখি খৰ বনুৱা হৈছিল। নোমল পেটু-মোছা বাবে সকলোৰে মৰমৰ আছিল ; সি ইফিটা ল'ৰাতকৈ দেখনিয়াৰও আছিল। সেইবাবে মাক-বাপেক আৰু ককায়েকহঁতে তাক খা-খাৰি কৰিবলৈ নিদি ৰজাৰ কোঁৱৰৰ দৰে তুলিছিল। মাক-বাপেকে ক্ৰমে পাঁচোটালৈ বিয়া কৰাই ছোৱালী আনিলে। বাপেকে নোমলৰ জোখাই ছোৱালী বিচাৰি অনেক গাঁৱলৈ গৈ শেহত সোণপাহী নামে ছোৱালী এটি পাই নোমললৈ বিয়া কৰালে। সোণপাহী যি সোণ-পাহীয়েই—নামত যেনে গুণতো তেনে। পাঁচোটা পুতেকে আৰু সিহঁতৰ ঘৈণীয়েকহঁতে ঘৰৰ খাজৰ সকলো ধন-খাৰি কৰি দোপতৃদোপে ঘৰখন ওপৰলৈ তুলিলে। তেওঁলোকে নোমলক যেনেকৈ এডাল কুটা দুডাল কৰিবলৈ নিদি অতি আলসুৱা কৰিছিল সেইদৰে তাৰ ঘৈণীয়েক সোণপাহীকো শাহুৱেকে আৰু জাক কিজনীয়ে মূৰৰ ফুলৰ দৰে ঘৰৰ ভিতৰত ৰাখিছিল ; তাই মাথোন বোৱা-কটাত হে লাগিছিল ; কাৰণ তাই এজনী তাঁত-সূতত খৰ কাজী আছিল।

লাহে লাহে কন্দাই-ডাৱহী পো-বোৱাৰী নাতি-পুতিৰে একুৰি ঘোলটা হ'ল। এনে স্থলত মানুহে ভাবিব পাৰে যে কন্দাই-ডাৱহীয়ে ৰজা-ৰাণীৰ দৰে বহি থাকি পো-বোৱাৰীৰ ওপৰত খাবলৈ ধৰিলে ; কিন্তু কন্দাই-ডাৱহী তেনে খিধৰ মানুহ নাছিল। বয়স হৈছিল বুলিও সিহঁতে আগৰ দুখ কৰা স্বভাৱ এৰা নাছিল। সকলো কামতে বুঢ়া-বুঢ়ী হে আগ, ডেকা গাভৰুসকল তেওঁলোকৰ পাছে পাছে হে গৈছিল। এদিন কন্দাইে হাঁহ-পাৰ মৰাই বৌ-চিতল অনাই, গাখীৰ-গুড় গোটাই নানাকিটাৰে দেখা-শুনাকৈ সুন্দৰৰূপে ভাত এসাজ খাবৰ আয়োজন কৰি ঘৈণীয়েকক ৰান্ধিবলৈ দিলে। ঘৈণীয়েকে নানাৰকমৰ মচলা দি ভজা-পোৰা মাছ-মঙহ, মাহ, আদখৰীয়া, টেঙাদিয়া আদি সুন্দৰৰূপে ৰান্ধি কন্দাই আৰু পুতেকহঁতক পুৱাই, শেহত বোৱাৰীয়েকহঁতৰ লগত নিজে খালে। ইপিনে কন্দায়ে চ'ৰাঘৰত বহি তামোলৰ বটা আগত লৈ সকলোটিকে গোটাই সুধিলে, "বোপাহঁত। মই আজি কিয় এইদৰে ভোজ খালোঁ, তহঁতে ইয়াৰ কিবা জান নে ?" সিহঁতে ক'লে, "পিতাদেউ! আমি ইয়াৰ একো সম্ভেদ নাপাওঁ ; আপুনি ক'লেহে জানিব পাৰিম-হঁক।" কন্দায়ে ক'লে, "মই তহঁতক যি সুধিম সেই কথা ভালকৈ গমি সঁচা কবি। বোপা মহাই, কচোন বাৰু, তই কাৰ মহত নো চাউল-কঠা খাইছ ?" সি ক'লে, "পিতা! মই ঠিককৈ কৈছোঁ, আপোনাৰ মহত হে খাইছোঁ।" এইদৰে তাৰ পিছৰ চাৰিটাক সুধিলত সিহঁতেও মহাৰে কোৱা কথাকে ক'লে। সেই উত্তৰত কন্দায়ে খৰ সন্তোষ পালে। শেহত

নুৰলীয়া পুতেক নোমলক কন্দায়ে সুধিলে, "বোপা! তই কচোন, কাৰ ঘৰত নো চাউল-কঠা খাইছ?" নোমলে একে আষাৰে কৈ উঠিল, "পিতাদেউ, কোনে কাৰ ঘৰত খাব পাৰে? সকলোৱে আপোন ঘৰত হে খায়।" তাৰ মৈণীয়েক সোণপাহীয়েও গিৰিয়েকে কোৱা কথাকে ক'লে। তেতিয়া কন্দাইৰ মূৰত বজ্ৰপাত হোৱাৰ দৰে হৈ সি কিছুমান পৰ তৱধ লাগি থাকি বৰ খেজাৰেৰে ডাবহীৰ ফালে চাই ক'লে, "হেৰ। ভাল পো ফুকাইছিলি! আৰু ভাল পোলৈ ভাল বোৱাৰী বাছি বাছি আনিছিলি! ইহঁত হালে হেনো আপোন ঘৰত হে খাইছে! সিহঁতক আমি লেদেনা উকটি ডাঙৰ-দীঘল মিছাতেহে কৰিলোঁ। এতেকে হেৰ বোপা নোমল! তই এতিয়াই মৈণীয়েৰে সৈতে মোৰ ঘৰৰপৰা ওলাই যা, আৰু এখন্তকো তহঁতৰ মুখ চাব নোখোজোঁ। তহঁত বৰ অগুণকাৰী। অতি অকৃতজ্ঞ!!" বাপেকৰ হুকুম শুনি সিহঁতহাল পিন্ধি থকা সাজেৰেই বাহিৰ ওলাল। মাক আৰু ককায়েকহঁতে সেইপিনে মৰা-মুছা হৈ থাকি সিহঁতক এক হকা-বধা নিদি যাবলৈ দিলে, কাৰণ ভাবিছিল সিহঁত ক'লৈ যাব? এতিয়াই উভতি আহিব।

নোমল সোণপাহী ঘৰৰ বাহিৰ ওলাই বাট পালেগৈ; এনেতে নোমলে মৈণীয়েকক ক'লে, "তুমি কোনো দিন ভিতৰৰপৰা বাজ ওলোৱা নাছিলা; দুখ কাক বোলে তাক নাজানা। মই কবলৈ হ'লে তুমি তোমাৰ মাৰা-বাপেৰাৰ ঘৰলৈকে যোৱাঁ। মই মতা মানুহ, মোলৈ একো চিন্তা নকৰিবা। ভালে কুশলে থাকিলে দুইৰো পুনৰ দেখাদেখি হ'ব।" সোণপাহীয়ে চকুৰ লো টুকি ক'লে—"বোপাই আয়ে মোক তোমাৰ চৰণৰ তলত মৰিবলৈ বুলিয়েই দিলে, এতিয়া তোমাৰ যি গতি মোৰো সেয়ে গতি। এনে সঙ্কটত মই তোমাক এৰি যাব নোৱাৰোঁ।" নোমলে বোলে, "ক'ত হাবিয়ে-বননিয়ে দেশে-বিদেশে মই ফুৰিব লাগিব, তুমি মোৰ সহায় নহৈ মহা বিপদ হে ঘটাবা। এতেকে মই আকৌ তোমাক কৈছোঁ, তুমি মাৰা-বাপেৰাৰ ঘৰলৈ গৈ সুখেৰে থাকাঁগৈ।" সোণ-পাহীয়ে বোলে "তোমাৰ লগত থাকি তোমাৰ শুশ্ৰূষা কৰিবলৈ পালে মোৰ মনত অৰণ্যই অমৰাৱতী; মোৰ নিমিত্তে তুমি একো ভাবিব নালাগে; তুমি যি খোৱা মযো তাকে খাম, তুমি য'ত শোৱা মযো তাতে শুম। মাথোন তোমাৰ দৰ্শন পাই থাকিলেই মোৰ সন্তোষ আৰু সেই সন্তোষ অন্য কোনো ঠাইতে পাব নোৱাৰোঁ।" নোমলে অনেক বুজালে তথাপি সোণপাহীৰ মন ঘূৰাব নোৱাৰিলে। শেহত সি আন উপায় নেদেখি মৈণীয়েকক লগত নিয়াই যুগুত ভাবি দুয়ো খোজ ললে; কিন্তু কলৈ কি মনেৰে একো থিৰ নাই।

এইদৰে হাবিয়ে হাবিয়ে অকলশৰে মতা-মাইকীহালি গৈ বেলি পৰিবৰ সময়ত মৈ এখনৰ পাৰত থকা বৰগছ এজোপাৰ তলত বহিলগৈ। বহা মাত্ৰকে নোমলৰ টোপনি আহিল। সোণ-পাহীয়ে নৈত হাত-মুখ ধুবলৈ গৈ মানুহৰ খোজ দেখা পাই খোজৰ চিনে চিনে গৈ নৈৰ দাঁতিৰ হাবিৰ মাজত ঘৰ এটা পালেগৈ। তাতে বুঢ়া-বুঢ়ী এহাল থাকে। তাত সিহঁতে মাটি ভাঙি খেতি পথাৰ কৰি খাই বৈ আছে। এনেতে বুঢ়ীয়ে ঘৰৰ বাজলৈ ওলাই সোণপাহীক দেখি ঠৰ লাগি ৰ'ল, আৰু কৰযোৰ কৰি কথলৈ ধৰিলে, "হেৰি বনৰ মাতৃ! আপুনি কিয় দৰ্শন দিছেহি? আমি নিৰাশ্ৰয় বুঢ়া-বুঢ়ী হাবিৰ মাজত পৰি আছোঁ। আপোনাক কি দি সন্তোষ লগাম।" সোণপাহীযে লাহেকৈ মাত লগালে, "আই, মই দেও ভূত একো নহওঁ, ভয় নাখাব, মানুহৰ পোৱালী হে; গিৰিহঁতেৰে সৈতে আহি এমাহমান হাবিয়ে হাবিয়ে ফলমূল খাই আহি বৰগছজোপাৰ তলত জিৰাওঁতে, গিৰিহঁতৰ ভোকে ভাগৰে তাতে টোপনি আহিল; মই নৈত হাত-মুখ ধুবলৈ আহোঁতে মানুহৰ খোজ দেখি চিনে চিনে আহি এইখিনি পাইছোঁহি। খাবৰ কিবা আছে যদি অলপ দি আমাৰ প্ৰাণৰক্ষা কৰক।" বুঢ়ীয়ে অতি সুন্দৰী গাভৰু ছোৱালীটি দেখি তাইলৈ মৰম লাগি তাইক ঘৰৰ ভিতৰলৈ মাতি নি বহুৱালে; আৰু ক'লে, "আমাৰও কেও-কিছু নাই। আমাক বইবস্ত্ৰ ভাতে-ভঁৰালে ঈশ্বৰে সকলো দিছে, কিন্তু আমাৰ অৰিহনে খাওঁতা হে নিদিলে। এতিয়া তোমালোকো নিৰাশ্ৰয় হৈ আহিছা, এতেকে আমাৰ লগতে থাকা, একো দুখ নোপোৱা।" সোণপাহীয়ে ক'লে, "সেইবোৰ কথা পিছে পাতিম, সম্প্ৰতি জা-জলপান এটা দিয়ক মই লৈ গৈ গিৰিহঁতক খুৱাওঁ। তেওঁ ভোকত লালকাল হৈ পৰি আছে।" বুঢ়ীয়ে লৰালৰি কৰি জলপান এটা যতাই সোণপাহীৰ হাতত দিলত সোণপাহীয়ে লৈ গৈ গিৰিয়েকক জগাই খুৱাই বুঢ়ীয়ে কোৱা কথাবোৰ ক'লে। তেতিয়া নোমল-সোণপাহী দুয়ো বুঢ়া-বুঢ়ীৰ ঘৰত ওলালহি। বুঢ়া-বুঢ়ীয়ে দুইকো আঁকোৱাল মাৰি ধৰি ক'লে, "তোমালোকক ইয়ালৈ ঈশ্বৰে পঠাইছে। তোমা-লোকেই আমাৰ ল'ৰা-ছোৱালী হ'লা, আৰু তোমা-লোকেই আমাৰ মুখত পানী এটোপা দি মাৰিবা বুলি আশা কৰিলোঁ।"

বহি ভই আমনি লাগি সোণপাহীয়ে এদিন বুঢ়াক ক'লে যে তেওঁ বৰ-কাটিব পাৰে, এতেকে তাঁত ববলৈ যব এটা সাজি দিব লাগে। বুঢ়াই

পাছদিনাই তাঁতৰ ঘৰ সাজি দি বুঢ়ীৰ তাঁতশাল ভোৰকে সোণপাহীক দিলে। সোণপাহীয়ে তাঁত বাটি কৰি এখন অপূৰ্ব্ব পাটৰ কাপোৰ লগালে। কাপোৰখন ছৰাহে বৈ এটালে আৰু তাক বাঁহৰ চুঙা এটাত সুমাই থলে। বাৰিষা হ'লে সেইখন নৈয়েদি দুখন এখন বেহেৰুৱা নাও সেইপিনে যায়; সেই বাৰো এখন আহি সিহঁতৰ ঘাটতে বান্ধিলে। তেতিয়া সোণপাহীয়ে নোমলক ক'লে যে "কাপোৰখন লৈ গৈ ৰজাক বেচিলে ভাল দাম পোৱা যাব। এতেকে এই নাৱতে উঠি মুদৈৰ লগত যোৱাঁ, নাৱৰ যি ভেৰোণ লাগিব কাপোৰ বেচি ধন পালে পিছত তাক দিবা।" বৈণীয়েৰৰ কথামতে নোমলে মুদৈক ক'লত মুদৈয়ে তাতে সন্মত হৈ নোমলক নাৱত তুলি ললে।

ৰজাৰ নগৰ ত.ৰপৰা তিনি দিন তিনি ৰাতিয়ে পোৱা যায়। নগৰ পাই ঘাটত নাও বান্ধিলত ভাত-পানী খাই-বৈ নোমল ৰজা ঘৰলৈ গ'ল; কিন্তু ৰজাঘৰৰ আওভাও নজনা গতিকে সি তিনি দিন অহা-যোৱা হে কৰিলে। শেহত তাৰ ওপৰত ৰাজবিষয়া এজনৰ চকু পৰিলত নোমলক তেওঁ মতাই নি সি ক'ৰপৰা আহিছে, কি লাগে বুলি সুধিলে। তেতিয়া নোমলে ৰাজযোগ্য কাপোৰ এখন বেচিবলৈ আনিছোঁ বুলি ক'লত তাক তেওঁ ৰজাৰ ওচৰলৈ লৈ গ'ল। ৰজাই কাপোৰখন দেখি সুধিলে, "কাপোৰ কোনে বৈছিল?" নোমলে বোলে "কাপোৰ কোনে বৈছিল মই কব নোৱাৰোঁ; মাথোন বোপাইৰ সম্পত্তি ভাগ কৰোঁতে মোৰ ভাগত মই সেই কাপোৰখন পাইছিলোঁ।" তেতিয়া ৰজাই কাপোৰখন লৈ তাক সোণ এচৰু আৰু ৰূপ এচৰু দি বিদায় দিলে। নোমলে ৰজাৰ নগৰ চাবলৈ দিনাদয়েক তাতে থাকিল।

ৰজাই কাপোৰ কিনোতে যুৱৰাজ সভাতে আছিল। তেওঁ কাপোৰখন দেখি ভাবিলে যে শিপিনীজনী কি মাৰাত্মক মাইকী। নোমলে শিপি-নীৰ কথা কব নোৱাৰে বুলি কৈছে জানি যুৱৰাজে নাৱৰীয়াক মতাই আনি অলপ বটা দি মনে মনে সুধিলতে নাৱৰীয়াই ক'লে যে নোমলৰ বৈণীয়েকেই সেই কাপোৰ বৈছে। তেতিয়া যুৱৰাজে তাক ক'লে, "সেই মানুহজনী মোক আনি দিব পাৰিলে তোক উপযুক্ত বটা দিম।" নাৱৰীয়াই, সোণপাহীয়ে নোমলক আহিবৰ সময়ত আঙঠি এটা দি যি কথা কৈছিল সেই কথা শুনি আছিল; সেইদেখি সি এতিয়া যুৱৰাজক ক'লে, যে সেই আঙঠিটো নোমলৰ হাতৰপৰা আনি তাক দিলেই সি সোণপাহীক আনি দিব পাৰিব। ৰজাৰ ল'ৰাই অনেক প্ৰবন্ধ কৰি নোমলৰ হাতৰপৰা আঙঠি অনাই নাৱৰীয়াক দি সোণপাহীক আনিবলৈ পঠিয়াই দিলে।

নাৱৰীয়াই গৈ সোণপাহীক আঙঠি দিলত তাই জানিলে যে গিৰিয়েকৰ কিবা হৈছে। এতেকে বুঢ়া-বুঢ়ীৰ ওচৰত বিদায় লৈ তাই নাৱৰীয়াৰ লগত নাৱত উঠি গ'ল। ইপিনে নোমলেও ৰজাৰ নগৰ চাই অঁতাই নাও মেলি দিলে। সোণপাহী গৈ ৰাজৰ নগৰ পালত তাইক যুৱৰজাৰ ওচৰলৈ লৈ যোৱা হ'ল। যুৱৰাজে তাইৰ ৰূপ দেখি মোহ গৈ ক'লে, "হেৰা গাভৰু! তুমি তিকছৰ যোগ্য বস্তু নোহোৱাঁ। তুমি ৰজাৰ যোগ্য হে; এতেকে মোৰ লগত মহাসুখে থাকা।" সোণপাহীয়ে তেতিয়া ঠগত পৰিলোঁ বুলি জানি কি কৰিম ক'লৈ যাম লগাই, পিছত ধৈৰ্য্য ধৰি সতীত্ব ৰাখিবৰ নিমিত্তে ঈশ্বৰৰ চৰণত শৰণ লৈ ক'লে, "যুৱৰাজ! মই আপোনাৰ বেটীৰ যোগ্যও নহওঁ, তদুপৰি এজনৰ বিবাহিতা তিৰুতা। এতেকে পৰস্ত্ৰীলৈ চকু দিয়া আপোনাৰ উচিত কাম নহয়।" যুৱৰাজে সেইবোৰ যুক্তিলৈ আওকাণ কৰি সোণপাহীক হাতত ধৰি নি নিজৰ কোঠালিত সুমালেগৈ। তেতিয়া সোণ-পাহীয়ে ধৈৰ্য্য ধৰি কুহুলিয়াই কুহুলিয়াই তেওঁৰপৰা নোমলৰ কথাবোৰ জানি ললে। সোণপাহীয়ে লগত দৰৰ-জাতি লৈ আহিছিল; তাৰে দৰবৰ তেল যুৱৰাজৰ গাত ঘঁহি দিয়াত যুৱৰাজৰ দুখোৰ টোপনি আহিল। সোণপাহীয়ে দুপৰ নিশাৰ পাছত লাহেকৈ খিড়িকী মেলি বাহিৰলৈ ওলাল; কিন্তু বাটৰ একো দিহা নজনা বাবে পিৰালিতে মনে মনে বহি আছিল। শেহপৰ নিশাত চোৰ সাতোটাই চুৰ কৰিবলৈ তালৈকে আহিছিল। সিহঁতক দেখি সোণপাহীয়ে সিহঁতৰ ফালে আগবাঢ়ি গ'ল। চোৰ-হঁতে সিহঁতক কোনোবাই ধৰিবলৈ অহা ভাবি বিষা-শবদে লৰ মাৰিলে। সোণপাহীও সিহঁতৰ পাছে পাছে লৰি গ'ল। পুৱতি নিশা হ'লত চোৰহঁতে উভতি চাই দেখে যে মতা মানুহ নহয়, এজনী দিপ্লিপ গাভৰুহে। তেতিয়া সিহঁত সাতোটাই উভতি এটাই বোলে মই নিওঁ, ইটোৱে বোলে মই নিওঁ, সিটোৱে বোলে মই নিওঁ, এই বুলি তাইক কাঢ়া-আজোৰা লগালে। সোণপাহীয়ে অলপো ভয় নাখাই সিহঁতক ক'লে, "তহঁতে মিছাতে দন্দ-হাই কৰি মৰিছ কেলৈ? মই কওঁ শুন,— কেউটাই লৰ মাৰি গৈ সৌ ৰিণিকি ৰিণিকি দেখা ৰৰগছজোপা যেয়ে আগেয়ে ছুব মই তালৈকে যাম।" সিহঁত সেই কথাত মান্তি হৈ লৰ মাৰিলে। ইপিনে সোণপাহী সাউত কৰে হাৰিৰ মাজত লোমাই পলাল। সিফালে ৰজাৰ ল'ৰাই সাৰ পাই দেখে যে সোণপাহী নাই। তেতিয়া চাৰিওফালে তেওঁ পিন্ড-পিডকৈ বিচাৰিও সোণপাহীক নাপাই নাও লৈ বিচাৰি

ওলাল। চোৰহঁতেও উভতি আহি মাইকীজনীক নাপাই তাই সিহঁতক ইমান ফাঁকি দিলে বুলি নিজকে ধিক্কাৰ দি নাও লৈ তাইক বিচাৰি ওলাল।

গিৰিয়েক গোমলে বুঢ়া-বুঢ়ীৰ ঘৰ পাই দেখে যে সোণপাহীও নাই, বুঢ়া-বুঢ়ীও নাই। ঘৰ-বাৰী নিঃপোন। সোণপাহী নাৱৰীয়াৰ লগত যোৱাৰ পাছদিনাই হাইজা হৈ বুঢ়া-বুঢ়ী হালিয়েই মৰি আছে। গোমলে কান্দি-কাটি ঘৈণীয়েকক বিচাৰি সেই নাৱতে আকৌ উঠিল।

ইফালে সোণপাহীয়ে হাবিয়ে হাবিয়ে গৈ গৈ এখন নৈৰ পাৰত ওলাই দেখে যে মুদৈ এটাই নাৱৰ পৰা নামি ধপাত খাই বালিতে বহি আছে আৰু নাৱৰীয়াকিটা নাৱৰ ভিতৰত শুই আছে। মুদৈয়ে ঘূৰি চাই দেখে যে এজনী চিকুণ গাভৰু ছোৱালী। তাইক সি সুধিলে "তুমি কোন? এনে অৱস্থাৰে হাবিৰ মাজত কিয় ফুৰিছা?" তাই ক'লে, "মই অনাথিনী, মোৰ গিৰিহঁতক বিচাৰি ফুৰিছোঁ।" মুদৈয়ে ক'লে, "তেন্তে ভালেই হ'ল; মোৰ নাৱত বলা, মোৰে সৈতে গৃহবাস কৰি থাকিবা।" সোণপাহীয়ে ভাবিলে, আৰু অকলশৰে হাবিয়ে হাবিয়ে ফুৰা বৰ টান; এতেকে মুদৈক ক'লে যে তাইৰ ব্ৰত এটা আছে, সেই ব্ৰতৰ কাৰণে উপহাৰ বস্ত্ৰ গোটাই আনি দি যেয়ে কাৰ্য্য কৰাই দিয়াব তাই তেওঁলৈকে যাব, এই বুলি অঙ্গীকাৰ কৰা আছে। মুদৈয়ে ক'লে, "সেইটো একো টান কথা নহয়; মই এতিয়াই মানুহ এটা লৈ গাঁৱলৈ যাওঁ, গধূলিকৈ ঘূৰি আহিম, তুমি নাৱতে থাকা।" মুদৈ গ'লত সোণপাহীয়ে নাৱত সোমাই দেখিলে যে মুদৈটো ডকাইত, তাৰ নানাৰকমৰ সাজ-পাৰ আছে। তাই তাৰে এটা উলিয়াই পিন্ধি, নাৱৰীয়াকেইটা শুই উঠিলত সিহঁতক নাও মেলি দিবলৈ ক'লে। সিহঁতে ভাবিলে যে মুদৈয়ে হে নাও মেলিবলৈ কৈছে। গধূলি মুদৈ আহি ঘাটত নাও নাপাই, মাইকী এজনীয়ে তাক ইমান ছল কৰিলে বুলি জানি মূৰে-কপালে হাত দি বহিল। কিছুপৰ সি এইদৰে থাকি অইন এখন বেহেকৰা নাৱত উঠি সোণপাহীক বিচাৰি ওলাল।

ইফালে সোণপাহীয়ে মতাৰ সাজ পিন্ধি মুদৈৰ ভাও জুৰি নাৱেদি ভটিয়াই এক ৰজাৰ নগৰ পালেগৈ আৰু ৰজাৰ ঘাটত নাও ৰখালে। সেই দেশত এজন ৰজা আৰু তেওঁৰ এজনী ভনীয়েক আছিল। সোণপাহীয়ে নিজক আন দেশৰ ৰজাৰ কুমাৰ বুলি প্ৰচাৰ কৰি মাজে সময়ে ৰজাৰ লগত দেখা কৰিবলৈ গৈছিল। পাছে ক্ৰমে ভাওজোৰা ৰাজকুমাৰেৰে সৈতে ৰজাৰ বৰ বন্ধুত্ব হ'ল। অন্তে সেই দেশৰ ৰজাই তেওঁৰ ভনীয়েকটীক ৰাজকুমাৰলৈ বিয়া দিবৰ প্ৰস্তাৱ কৰিলে। ভাওজোৰা ৰাজকুমাৰ সন্মত হোৱাত মহাসমাৰোহেৰে বিয়া হৈ গ'ল। তেওঁলোক থাকিবৰ নিমিত্তে উপযুক্ত ঘৰ-দুৱাৰ সজাই দিয়া হ'ল। ৰাতি হ'লত ৰজাৰ ভনীয়েক শোৱা-কোঠালিত ৰাজকুমাৰলৈ বাট চাই আছে; এনেতে মতা সাজেৰে সোণপাহী সোমাই ৰজাৰ ভনীয়েকক ক'লে, "বুজিছা নে মই তোমাক কথা এটা ক'ব খোজোঁ, তুমি প্ৰকাশ নকৰোঁ বুলি শপত খালে কব পাৰোঁ।" ৰজাৰ ভনীয়েকে কাকো নকওঁ বুলি তেতিয়াই শপত খালত সোণপাহীয়ে ক'লে যে তেওঁ মাইকী। স্বামীক হেৰুৱাই বিপদত পৰি পুৰুষৰ সাজ পিন্ধি কোনোমতে তেওঁ পৰিত্ৰাণ পাইছে। "এতিয়া আমি যি আছোঁ সেয়ে থাকোঁ। মোৰ স্বামীও অতি সুশ্ৰী সুবেশ; তেওঁক বিচাৰি উলিয়াবলৈ আমি দুয়ো বিশেষ যত্ন কৰিব লাগে।"

এইদৰে দুইও পৰামৰ্শ কৰি হুবহু সোণপাহীৰ নিচিনা মাটিৰ মূৰ্ত্তি এটা কৰাই, সাজপাৰ পিন্ধাই নাও ৰখা ঘাটত থোৱাই পহৰীয়া ৰাখি পহৰীয়াক ক'লে যে, যি যি মানুহে মূৰ্ত্তিটোৰ ওচৰলৈ আহি মূৰ্ত্তিটোক ধৰি দুখ-বেজাৰ কৰে সেই সেই মানুহক তেওঁলোকৰ ওচৰলৈ লৈ যাব। ইয়াৰ কিছুদিনৰ পাছত সেই যুৱৰাজে ঘাটত নাও লগাই মূৰ্ত্তিটো দেখি চকুৰ লো টোকা দেখি পহৰীয়াই সোণপাহীৰ ওচৰলৈ তেওঁক লৈ আহিল। সোণপাহীয়ে তেওঁক বন্দীশালত নি পৃথক ঘৰত থবলৈ ক'লে আৰু দুখ কৰিবলৈ নিদি বহুৱাই থৈ মজলীয়াৰূপে খুৱাই-বুৱাই ৰাখিবলৈ দিলে। তাৰ পাছত চোৰ সাতোটাক আনি দিলত সিহঁতক নি খটি বন কৰাবলৈ আৰু কদৰ্য্যৰূপে খুৱাই বন্দীশালত থবলৈ তেওঁ ক'লে। ইয়াৰ কিছুদিনৰ পাছত সদাগৰ পালেহি। তাকো আনি হাজিৰ কৰিলত ৰজাৰ ল'ৰাৰ দৰে পৃথক ঘৰত ৰাখি ধনবাৰী কৰাবলৈ সোণপাহীয়ে ক'লে। এইদৰে এমাহমানৰ পিছত ফকীৰৰ বেশেৰে মানুহ এটা লৰমাৰি আহি মূৰ্ত্তিটোৰ ওচৰত চাঁচ কৰে পৰি মূছ্‌কছ্ গ'ল। পহৰীয়াই তাক সেই অৱস্থাৰে দাং-দোলাকৈ নি সোণপাহীৰ আগত উলিয়ালেগৈ। তেওঁ ততালিকে তাক চিনি পাই ভিতৰলৈ নিয়াই নিজে অনেক যত্ন কৰি সজ্ঞান কৰালে আৰু উত্তমৰূপে সেৱা-শুশ্ৰূষা কৰাই খাবলৈ শুবলৈ দি বিশেষ আদৰ কৰিলে। সোণপাহীয়ে নিজো সেই মানুহটোৰ ওচৰত বহি তেওঁৰ কথাবোৰ খুচৰি উলিয়াই শুনি থাকে। ফকীৰে মাথোন মাজে মাজে দীঘল হুমুনিয়াহ কাঢ়ি চকুলো টোকে;— গোমলেই যে সেইবোৰ কথা সোণপাহীকে কৈছে সেই কথা গোমলে জনা নাই; কাৰণ সময়ে

দুইবো অৱস্থাৰ পৰিৱৰ্ত্তন কৰিলে। সোণপাহীয়ে মনে মনে ৰজাৰ ভনীয়েকক ক'লে, "এয়ে মোৰ হেৰোৱা স্বামী, যাৰ ধৰাধৰৰ নিমিত্তে এই বুলি সজা হৈছিল।" তেতিয়া দুয়ো নানা প্ৰকাৰে নোমলৰ সেৱা-শুশ্ৰূষা কৰিবলৈ ধৰি তাৰ গা অনেক গুণে ভাল কৰালে।

পাছে এদিন সভা পাতি ভাও লোৱা ৰাজকুমাৰ সিংহাসনত বহি ৰজাৰ ভনীয়েকক নিজৰ বাঁওকালে বহুৱাই পাত্ৰ-মন্ত্ৰী মাতি সভা কিয় পতা হৈছে কৈ সোনতে বন্দীশালৰপৰা যুৱৰাজক আনিবলৈ কোটোৱালক পাচিলে। যুৱৰাজক আনিলত তেওঁ কি বাবে মূৰ্ত্তিৰ ওচৰলৈ আহি খেলাৰ কৰি মূৰ্ত্তি ছুইছিল তাৰ কাৰণ সোধা হ'ল। যুৱৰাজে ক'লে যে "মই অমুক দেশৰ ৰজাৰ ল'ৰা, মোৰ তিৰোতা ৰাতি পাটীৰপৰা নাইকীয়া হোৱাত মই দেশে-বিদেশে বিচাৰি ফুৰি, সেই মূৰ্ত্তিটো মোৰ তিৰোতাৰ নিচিনা দেখি তাৰ ওচৰলৈ গৈছিলোঁ, মূৰ্ত্তি বুলি জনা নাছিলোঁ।" সোণপাহীয়ে ক'লে বোলে "তোমাৰ প্ৰকৃত বিবাহিতা তিৰুতা হোৱা হলে তেওঁ তোমাক চিনিলেহেঁতেন। তুমি ভাওনা কৰি সঁচা কথা গোপন কৰিছা। যদি তোমাৰ নিৰাপদে স্বদেশলৈ যাবৰ মন আছে তেন্তে তুমি সকলো কথা সভাৰ আগত ভাঙি কব লাগে।" যুৱৰাজে কিছুমান পৰ টভক মাৰি থাকি সোণপাহীক কেনেকৈ অনাইছিল, কেনেকৈ তাই অন্তৰ্দ্ধান হ'ল সকলো আগগুৰি ভাঙি ক'লত সভাসদসকলে সোণপাহীক অচল সতী বুলি শলাগি ৰজা-ল'ৰাক কিছু সঞ্জ-সৰিহণা কৰি বাট-খৰচা দি নিজৰ দেশলৈ যাবলৈ এৰি দিলে। তাৰ পাছত ডকাইতকিটাক সভালৈ আনিলে। সিহঁতেও কেৰ্ মেৰ্ কৰি সঁচা কথা ক'লত সিহঁতক চৰতা মৰাই এৰি দিলে। শেহত সদাগৰক আনি সকলো কথা সুধি উলিয়াই পৰ স্ত্ৰীত বিশ্বাস কৰা বাবে যথেষ্ট শাস্তি হ'ল বুলি বিদায় দিলে। সেইদিনা গধূলি সোণপাহীয়ে আগৰদৰে কাপোৰ-কানি পিন্ধি নোমলৰ ওচৰলৈ গ'ল; নোমলে সোণপাহীক দেখি সাবট মাৰি ধৰি হুকুহুকু ক'ৰে কান্দিবলৈ ধৰিলে আৰু দুয়ো দুইবো কথা কৈয়ে ৰাতিটো কটালে। পাছদিনা সোণপাহীয়ে নোমলেৰে সৈতে ৰজাৰ ওচৰলৈ গৈ সকলো বৃত্তান্ত কোৱাত ৰজাই সোণপাহীৰ সাহস আৰু বুদ্ধিক মনে মনে শলাগিলে আৰু নিজৰ ভনীয়েকক নোমললৈ ৰীতিমতে বিয়া দিলে।

এইদৰে নোমল আৰু সোণপাহী সেই ৰাজ্যত থাকোঁতে অন্য এখন দেশৰ ৰাজবংশ লোপ হৈ ৰাজপাট খালি হ'লত পাত্ৰ-মন্ত্ৰী সভাসদসকলে উপযুক্ত ৰাজকোঁৱৰ এটি বিচাৰি দেশে দেশে মানুহ পঠালে। সেই ৰজাৰ ওচৰলৈকো মানুহ আহিছিল। ৰজাই নোমলকে ৰজা পাতিবলৈ লেখি পঠালে। তেতিয়া সকলোৰে নোমলক দুইজনা কুঁৱৰীৰে সৈতে সেই ৰাজ্যৰ সিংহাসনত বহুৱাই আঁঠু ললে।

ইপিনে কন্দাই-ডাবৰী, নোমল-সোণপাহী ঘৰৰপৰা ওলাই যোৱাৰেপৰা অলক্ষ্মী লাগিল; ধন কৰিবলৈ নালাগে সিহঁতে খাবলৈকে পাহৰা হ'ল। ক্ৰমে ঘৰত নানা অমঙ্গল হবলৈ ধৰিলে,—আজি কাৰো নৰীয়া, কালি গৰুটো, পৰহি মহটো, এইদৰে মৰিবলৈ ধৰিলে আৰু দিনকদিনে বিপদৰ উপৰি বিপদ হৈ ঘৰখন সাং-সাং-ঠাং-ঠাং হ'ল। শেহত কন্দাই ডাবৰীৰে মাগিব লগাত পৰিল। পাছে ইটোৰ মুখে সিটোৰ মুখে সিহঁতে শুনিবলৈ পালে যে দেশত নতুন ৰজা হৈছে আৰু তেওঁৰ ৰাণী কুঁৱৰীয়ে দুখীয়াক ধৰকৈ পুতৌ কৰি দান-দক্ষিণা দিয়ে। তেতিয়া কন্দায়ে পাচোটা পুতেকেৰে সৈতে অতি দুখীয়াভাৱে ৰজাৰ সিংহদুৱাৰত থিয় হৈ নিজৰ দুখ বেজাৰৰ কথা ৰাণীলৈ কৈ পঠিয়ালে। ৰাণীয়ে ওপৰ-মহলাৰপৰা শহুৰেক আৰু ৰৰজনাকহঁতক দেখিয়েই চিনি পালে আৰু লিগিৰী পঠিয়াই মতাই নি সিহঁতক বাহিৰ-ঘৰ এটাত চাৰি-কঠ দি বহুৱাবলৈ ক'লে। তাৰ পাছত তামোল-পাণ কাটি ৰূপৰ বটাত দি সিহঁতলৈ পঠালে। কন্দাইৰ ভয়ত ভত নাই, কিবা অপৰাধ হে লগালোঁ ভাবি। তাৰ পাছত সিহঁতক হাত-মুখ ধুবলৈ পানী দি জলপান খাবলৈ ভিতৰলৈ মাতিলে। কন্দায়ে ল'ৰাকেটাৰ কালে চাই ক'লে, "বোপাহঁত! আৰু সৰহ খেলি নাই, জলপান নহয়, মূৰ কটাৰ হে ব্যৱস্থা। দুখীয়া মগনিয়াৰক কোনে লোধ-পোছ কৰে? আগৰ বুঢ়ালোকে কৈছিল বোলে কটাৰ আগেয়ে হে ৰজাঘৰত খুৱাই-বুৱাই লয়। পলাবৰো উপায় নাই। একেবাৰে চৌলৰ ভিতৰত সুমাই লৈছে।" যিহক, মৰণত শৰণ দি কোনোমতে সিহঁতে জলপান খালে। তাৰ পাছত কুঁৱৰীয়ে কৈ পঠালে যে গধূলি সিহঁতে ভাত এসাজ খাই ৰজাঘৰতে শুই থাকিব লাগিব। তাত সোণপাহীয়ে নিজে ৰান্ধিছে। মাইহঁতে মান অনুসৰি ভাত বাঢ়ি থৈ কন্দাই আৰু পুতেকহঁতক ৰাণীয়ে গা ধুবলৈ পঠিয়ালে। গা-ধুই ৰাজৰ ধুতি-কাপোৰ পিন্ধিবলৈ দিয়াত সিহঁতৰ গাত খৰ-জুঙুতি নোহোৱা হ'ল। ৰান্ধনিৰ সোৱাই মাইহঁত আৰু বহা আসন দেখি সিহঁতৰ থাপু উঠি গ'ল; তেতিয়া পিঠক লৈ সমাজিক খিৰ কৰিব নোৱাৰি সিহঁতে মোহোঁকা-পিছলা কৰিছিল। সোনতে কন্দাইক বহিবলৈ দি মান অনুসাৰে ইফালে ল'ৰাক [illegible] সেৰৰ মাইহঁতে নোমলক মৰকলা পিন্ধি [illegible] কাপোৰ পিন্ধাই [illegible]

ঘৰত পিন্ধি থকা কাপোৰেৰে ওলালত কন্দাইৰ মনত পৰি গৈ সোণাৰ ভিঙিত ধৰি হুৰ্ হুৰ্ কৰে কান্দিবলৈ ধৰিলে। বাতিটো থাকি পাছদিনা সোণলে মাক আৰু বোৱেকহঁতক ল'ৰা-ছোৱালী যথাৰে সৈতে আনিবলৈ হাতী-দোলা মানুহ পঠালে। এইদৰে তেতিয়া সকলোটি এক পৰিয়াল হৈ মহা সুখে-সম্পদে থাকিবলৈ ধৰিলে। তেতিয়াহে কন্দায়ে বোলে সোণ-সোণপাহীৰ কথা সঁচা, কোনে কাৰ জহত থায়, সকলোৱে আপোন বলতেহে থায়। *

* (এই সাধুটো শ্ৰীযুত বাচাৰাম খাউণ্ডে তেওঁৰ বুঢ়ীমাকৰ মুখে শুনিছিল। মৰণ কালৈকে বুঢ়ীমাকৰ দাঁত আছিল। জইন কি তেওঁৰ গাৰ সোনপোৰো পকিছিল। তেওঁক গাৱৰ মানুহে পৰী-বুঢ়ী আই বুলিছিল। সেইবাবে তেওঁ থকা ঠাইডোখৰক আজিলৈকে পৰীনুৱা বোলে।)

ত্ৰয়োবিংশ সাধু

ককা—"আজি তোক মই সাধু নকওঁ বুলিছোঁ।"

নাতি।—"কিয়? কিয় ককাদেউতা?"

ককা।—"তই সেই নাৰিকলৰ লাড়ুটো পাই অকলৈ টপ্ কৰে মুখত সুমাই থলি, তোৰ ভনীয়েৰে অকমান খুজিছিল তই নিদিলি। এইটো কিবা ভাল কথা হ'ল নে? আপোন-পেটীয়া স্বভাৱ বৰ বেয়া। অলপ বস্তু পালেও তোন সৰু ভনীয়েৰক তাৰ ভাগ দি খাব পায।"

নাতি।—"আজিৰপৰা মই তেনে নকৰো। আজি মোৰ দোষ হৈছে।"

ককা।—"বেছ কথা; শুনি মই সন্তোষ পাইছোঁ। শুন তেন্তে সাধু কওঁ।"—

পেট-ভাতুৰ কথা

কোনো এক দেশত এজন ৰজা আছিল। ৰজাজনৰ এটি ল'ৰা আছিল; আৰু তেওঁৰ মন্ত্ৰী-জনৰো এটি ল'ৰা আছিল। সৰুকালৰেপৰা ৰজাৰ ল'ৰাৰ লগত মন্ত্ৰীৰ লৰাৰ বৰ মিল আছিল; আৰু দুয়োজনে সখি বন্ধাইছিল। তেওঁলোকৰ ভিতৰত এনে বন্ধু-ভাৱ হৈছিল যে দুয়ো কেতিয়াও এৰ'এৰি নহৈছিল। খোৱা-বোৱা আদি কামবিলাক দুয়োজনৰে একেলগে চলিছিল। যেতিয়া তেওঁলোক ডাঙৰ হ'ল, লেখা-পঢ়া শিকি তেওঁলোকৰ বুদ্ধি চোকা হ'ল তেতিয়া দুয়োজনৰ মনত দেশ চাই ফুৰিবৰ ইচ্ছা জন্মিল। বাপেক-মাকে এই কথাৰ গম পালে তেওঁলোকৰ ইচ্ছা পূৰ্ণ নোহোৱাৰ ভয়ত দুয়োজনে মনে মনে বাপেক-মাকে থাতৰি নোপোৱাকৈ এদিনাখন ৰাতি পলাই গ'ল। ৰজাই আৰু মন্ত্ৰীয়ে পাছ দিনা পুতেকহঁতক দেখা নাপাই ৰবকৈ বিচাৰ-খোচাৰ কৰিলে, কিন্তু কোনো ঠাইতে তেওঁলোকৰ খাতৰি নেপালে। শেষত ৰজা আৰু মন্ত্ৰী দুয়ো অসন্তোষ মনেৰে থাকিল। সিফালে দুয়োজন সখিয়েকে অনেক ঠাই ফুৰি ফুৰি এক ৰজাৰ নগৰত ওলালগৈ। সেইদিনা ৰাতি সেই ৰজাৰ ঘৰত থাকিবলৈ মন কৰি গধূলি সময়ত দুয়ো ৰজাৰ ঘৰ পালেগৈ। ৰজাঘৰৰ মানুহেও গধূলিৰ অতিথি দেখি তেওঁলোকক সোধ-পোছ কৰিলে। তেওঁলোকেও, "বহুত ঠাই ফুৰি আমাৰ ভাগৰ লাগিছে, আজি ৰাতিটো ইয়াতে পৰি থাকোঁ" বুলি ক'লে। ৰজা-ঘৰৰ মানুহে তেওঁলোকক তেতিয়াই খটিয়াকৈ খোৱা-শোৱা আদিৰ দিহা কৰি দিলে। তেওঁলোকে মহা আনন্দেৰে খাই-বৈ ৰজাৰ ঘৰতে শুই থাকিল।

ৰাতি দুয়োজনৰ টোপনি আহিল। কিছুমান সময়ৰ মূৰত ৰজাৰ ল'ৰাই সাৰ পালে। সাৰ পাই, সেই-দিনা ৰজাৰ ঘৰত নিজৰ ঘৰৰ দৰে খাবলৈ শুবলৈ পাই ৰজাৰ ল'ৰাই মনৰ আনন্দত এটা ৰাগ দিলে। যদিও তেওঁলোক দুজনে সোনকালে খাই-বৈ শুই সাৰ পালে কিন্তু ৰজাঘৰৰ মানুহে সেই সময়ত খাই-বৈ উঠিছিল হে। ৰজাৰ পুতেকৰ ৰাগটো শুনি ৰজাঘৰীয়া সকলোৱে হৰ্ষ পালে; কাৰণ ৰজাৰ পুতেকে ইমান সুৰীয়াকৈ ৰাগ দিছিল যে, এনে শুৱলা সুৰীয়া ৰাগ তেওঁলোকে আৰু আগেয়ে কেতিয়াও শুনা নাছিল। ৰজাৰ এজনী গাভৰু ছোৱালী আছিল। ৰাগটিয়ে সেই ছোৱালীজনীৰ মনটো হে সৰহকৈ খিলিলে। ছোৱালীজনী ৰাগ শুনি ইমান মোহিত হৈছিল যে, তেওঁ লাজকাজ এৰি, সেই ৰাগ দিয়া অতিথি ডেকা-জনৰ লগত তেওঁক বিয়া দিব লাগিব বুলি মাকক ক'লে আৰু নিদিলে আত্মঘাতী হব বুলি ক'লে। মাকে জীয়েকৰ কথা শুনি অসন্তোষ মনেৰে বুজাবলৈ ধৰিলে,—"আই! তুমি ৰজাৰ জীয়াৰী হৈ অচিনাকি মানুহৰ লগত বিয়া সোমাব খোজা, ই বৰ বেজাৰৰ কথা। অতিথিৰ জাতি-কুলৰ ঠিক নাই, স্বভাৱ-চৰিত্ৰৰ বিষয়ে আমি একো নেজানো, এনে থলত যদি আমি তোমাক সেই আলহীলৈ বিয়া দিওঁ তেন্তে লোকে আমাক কি বুলিব? এতেকে তুমি তেনে কথা নকবা।" কিন্তু জীয়েকে মাকৰ বুজনি নুশুনিলে। জীয়েকে ক'লে যে তেওঁক আলহীলৈ বিয়া নিদিলে তেওঁ প্ৰাণ এৰিব। মাকে জীয়েকৰ কথাত বিমুখি হৈ ৰজাৰ আগত সেই কথা ক'লেহি। ৰজাও মনত বেয়া পাই, জীয়েকক মতাই দি কত

ফুৰাবলৈ ধৰিলে, কিন্তু জীয়েকে সেই বুদ্ধিনিও বিফলত পৰিল। অন্তত ৰজাই-ৰাণীয়ে একো উপায় নাপাই আলহীটোকে জীয়েকক বিয়া দিবলৈ সন্মত হৈ জীয়েকক ক'লে, "আই অ' যি থাকে কপালত, তোৰ কথামতে আলহীৰ লগতে তোক বিয়া দিম, আজি ৰাতি শুই থাকগৈ।" এইবিলাক গোলমালৰ পিছত তিনিওজনাই নিজ নিজ ঠাইত শুলেগৈ, কিন্তু সেই ৰাতি এজনৰো টোপনি নাহিল। তিনিও-জনাই এইবিলাক কথা ভাবি-চিন্তি থাকোঁতেই ৰাতি পুৱাল। ৰাতিপুৱা সকলো নিজ নিজ শোৱাপাটি এৰি উঠি আহিল। আলহীজোৰা ৰাতিপুৱা কোনোবা ফালে গুচি যায় বুলি সিহঁতক ৰাখিবৰ নিমিত্তে ৰজাই দাসী এজনীক মাতি আনি ক'লে, "আজি ৰাতি আমাৰ আলহী দুজনৰ কোনজনে বাগ দিছিল সেইজনক মাতি আন।" ৰজাৰ আদেশ শুনি দাসীজনী আলহী ধৰি আনিবলৈ গ'ল। সিফালে মন্ত্ৰীৰ লৰাই শোৱাপাটি এৰি উঠি আহিছে, ৰজাৰ ল'ৰা উঠাই নাই। এনেতে দাসীজনীয়ে মন্ত্ৰীৰ ল'ৰাক সুধিলে, "আজি ৰাতি কোনজনে বাগ দিছিলা? ৰজাই মোক তেওঁক নিবলৈ কৈছে, সোনকালে ওলোৱা।' মন্ত্ৰীৰ ল'ৰাই ভাবিলে, ৰজাই যদি বাগ দিয়া বাবে কিবা অগৰ ধাৰৰ খোজে, তেন্তে আজলা ৰজাৰ ল'ৰাই কিবা বেবোৰবাং লগাই অগৰত হে পৰিব পাৰে, এতেকে পাৰোঁ যদি মই নিজৰ গাতে দায় লৈ কৈ-মেলি সাৰি আহোঁ; আৰু নোৱাৰোঁ যদি তেওঁৰ হকে মৰেই বিপদত পৰোঁ, তেওঁহে ভালে-কুশলে থাকি ৰাজ্যলৈ উভতি যাওক। ইয়াকে ভাবি, বাগ দিয়া মানুহজন মই বুলি গাত লৈ মন্ত্ৰীৰ ল'ৰা দাসীজনীৰ লগত ৰজাৰ ঘৰৰ ভিতৰলৈ গ'ল। মন্ত্ৰীৰ ল'ৰাক ৰজাৰ আগত সোধাই দিয়া হ'লত ৰজাই তেওঁক সুধিলে, "আজি ৰাতি তুমি বাগ দিছিলা নে?" মন্ত্ৰীৰ ল'ৰাই উত্তৰ দিলে, "হয় স্বৰ্গদেও।" উত্তৰ শুনি ৰজাই এডোখৰ ভাল ঠাই দেখুৱাই ক'লে, "তুমি মোৰ দোচোৰা আদেশ নুশুনালৈকে এই ঠাইতে বহি থাকা।" মন্ত্ৰীৰ ল'ৰায়ো ঈশ্বৰক চিন্তি ৰজাই দেখুওৱা ঠাই-খিনিতে বহি থাকিল।

ইফালে ৰজাৰ ল'ৰাই টোপনিৰপৰা সাৰ পাই দেখে যে, তেওঁৰ সখিয়েক ওচৰত নাই। সখিয়েকক নেদেখি তেওঁ বিচুত্তি হ'ল। নানাৰকম শোক, দুখ আৰু ভাৱনাই তেওঁৰ মন ধৰক লগালে। ৰজাৰ ল'ৰাই ভাবিবলৈ ধৰিলে, আজি ইমান দিন সখিৰ ওপৰত নিৰ্ভৰ কৰিয়েই মই মহাসুখে কটালোঁ; এতিয়া সখিয়ে মোক এনে বিপদত পেলাই গ'ল মোক এৰি ক'লৈ গ'ল? আৰু মইনো এতিয়া অকলে ক'লৈ যাওঁ, ক'ত থাকোঁ? ইমানতো মোক বিপদত পেলাবলৈ হে এই বিদেশলৈ লৈ আহিছিল নে কি? এইবিলাক কথা ভাবি-চিন্তি তেওঁ ৰজাৰ ঘৰৰপৰা বাহিৰ ওলাল, আৰু গোটেই নগৰতে সখিয়েকক বিচাৰি ফুৰিবলৈ ধৰিলে। দিনৰ-দিনটো ভাত-পানী এৰি ৰজাৰ ল'ৰাই সখিয়েকক বিচাৰি ক'তো নেপাই শেহত গধূলি বেলিকা সেই ৰজাৰ নগৰৰে এজন সাউদৰ ঘৰত ওলালগৈ। সাউদে গধূলি পৰত তেওঁক অহা দেখি ক'ৰপৰা আহিছে সুধিলে। ৰজাৰ ল'ৰাই "মই অকলশৰীয়া মানুহ, মোৰ ঘৰ-দুৱাৰৰ ঠিক নাই, য'তে পাওঁ ত'তে থাকোঁ" বুলি পিছাকৈয়ে চিনাকি দিলে। তেতিয়া সাউদে সুধিলে, "যদি তোমাৰ ঘৰ-দুৱাৰৰ ঠিক নাই, তেনেহলে মই ৰাখোঁ, মোৰ ইয়াতে থাকা।" ৰজাৰ ল'ৰায়ো "ৰাখিলে থাকিবও পাৰোঁ" বুলি ক'লে। তেতিয়া সাউদে ক'লে, "তুমি থাকোঁ বুলিছা হয় কিন্তু মই ভাল বন্দৱস্ত নকৰাকৈ মানুহ নাৰাখোঁ।" সাউদৰ কথা শুনি ৰজাৰ ল'ৰাই ক'লে, "বাৰু কি বন্দৱস্ত কৰে কৰক।" সাউদে ক'লে, "মোৰ অন্য বন্দৱস্ত নাই, মাত্ৰ কোনো মানুহ মোৰ ঘৰত থাকোঁ বুলি পিছত নথকা হ'লে মই তাৰ নাকে-কাণে লোৰ শলা মাৰি আমাৰ ৰজাঘৰৰ পোতাশালত ভৰাই পেলাই থওঁ। যেয়ে ইয়ালৈ আগ থাচুৰ পাৰে মই তাক হে ৰাখোঁ আৰু সেইটো গাত নললে মই তাক নাৰাখোঁ।" ৰজাৰ ল'ৰায়ো আগ পাছ নুগুণি তাতে সন্মত হ'ল আৰু সেই দিনা ধাই-বৈ ৰজাৰ ল'ৰা সেই সাউদৰ ঘৰতে থাকিল।

ইফালে ৰজাই লৰালৰিকৈ জীয়াৰ বিয়াৰ কাৰবাৰৰ নিমিত্তে মানুহ লগাই দিলে। মন্ত্ৰীৰ ল'ৰাই অগৰৰ ভিতৰত ঈশ্বৰক সুমৰি বহি আছে। গধূলি হ'লত নিয়মমতে ৰজাই জীয়েকক মন্ত্ৰীৰ ল'ৰাৰ লগত বিয়া দিলে আৰু জীয়েক-জোঁৱায়েক থাকিবলৈ ৰজাৰ ঘৰৰপৰা অলপ দূৰত এটি ঘৰ দিলে। তেওঁলোকেও তাতে থাকি সুখেৰে দিন কটাবলৈ ধৰিলে।

ইফালে ৰাতিপুৱালত সাউদে তেওঁৰ আন আন চাকৰবোৰৰ লগত ৰজাৰ ল'ৰাকো বন কৰিবলৈ পঠাই দিলে। ৰজাৰ ল'ৰাই সৰুৰেপৰা পৰৰ ওপৰত খাই-লৈ আছিল, তেওঁৰ সুখীয়া দেহা, কি বন কৰিব? আকৌ বন কৰিব নোৱাৰিলে সাউদৰ গালি-শপনিও খাব লাগে। বন কৰিব নোৱাৰোঁ বুলিলেও সাউদে নেৰে। গতিকে তেওঁ নিৰুপায় অৱস্থাত পৰি কোনোমতে চাৰি দিনমান দুখে-কষ্টে কটালে। পিছত আৰু নেৰেৰে নচা হ'লত এদিন গধূলি তেওঁ সাউদক ক'লে, "দেউতা মই আৰু আপোনাৰ ঘৰত থাকিব নোৱাৰোঁ, মোৰ আগৰপৰা বন কৰা অভ্যাস নাছিল। অনুগ্ৰহ কৰি মোক ৰাতিৰপৰা বিদায় দিয়ক।" এই কথা শুনি সাউদে খঙতে জ্বলি

উঠি ক'লে, "মই আগেয়ে তোৰ আগত কৈছোঁ, যি মানুহ আগেয়ে মোৰ ঘৰত থাকোঁ বুলি শেহত নথকা হয়, মই তাৰ নাকে-কাণে লোৰ শলা মাৰি আমাৰ ৰজাৰ পোতাশালত থওঁ। এতিয়া তয়ো তাৰ ভাগ পাবি।" ৰজাৰ ল'ৰাই ক'লে, "মোক দোছোৱা কৰি কাটিলেও মই আৰু ধন কৰিব নোৱাৰোঁ।" সাউদে ক'লে, "বাৰু তেন্তে।" এই বুলি সেই ৰাতিটো গ'লত, পাছদিনা ৰাতিপুৱা সাউদে ৰজাৰ ল'ৰাক লগত লৈ ৰজাৰ ঘৰলৈ গ'ল; আদি-অন্ত সকলোখিনি কৈ দিয়াত নিয়তৰ বন্দৱস্ত মতে ৰজাই ৰজাৰ ল'ৰাৰ নাকে-কাণে লোৰ শলা মৰাই পোতাশালত থৈ দিয়ালে। সাউদ ঘৰলৈ গুচি আহিল। ৰজাৰ ল'ৰাই অসংখ্য যন্ত্ৰণা ভোগ কৰি দিন কটাবলৈ ধৰিলে। কেইদিনমানৰ মূৰত এদিন ৰজাৰ ল'ৰাই ৰাতি শুই নিজৰ সুখ-দুখৰ কথাবিলাক মনত ভাবি থাকোতে, তেওঁৰ মনত এটা কিবা ভাব উলাই আকৌ পূৰ্বৰ নিচনা সুললিত মাতেৰে বাগ দিলে। সেই বাগটি আকৌ ৰজাৰ-জীয়েকৰ কাণত পৰিলগৈ। ৰজাৰ জীয়েকে এই বাগ শুনি মনে মনে ভাবিবলৈ ধৰিলে, 'মোৰ কি দুৰ্কপাল। মই যি বাগত মোহ গৈ পিতৃ-মাতৃৰ বিবোধী হৈ আলহীৰ লগত বিয়া সোমালো এতিয়া দেখোঁ সেই বাগটো আকৌ পোতাশালৰ ফালে হে শুনিবলৈ পাওঁ। ঈশ্বৰে মোক কি ছল কৰিলে!" এইবিলাক কথা ভাবি-চিন্তি তেওঁ একো ঠিক কৰিব নোৱাৰি শেহত ইয়াৰ ভালকৈ ওৰ লবৰ নিমিত্তে তেওঁৰ গিৰিয়েকক সুধিলে—"আপোনাৰ লগত যে পিতাই মোক বিয়া দিলে মই ইয়াৰ কাৰণ একো বুজিব নোৱাৰিলোঁ। আপুনি দেখোঁ আমাৰ অচিনাকি মানুহ; পিছে পিতাই বা মোক আপোনাৰে সতে কিয় বিয়া দিলে, আপুনিয়েই বা মোক কেনেকৈ বিয়া কৰাবলৈ পালে, মোৰ আগত এই কথাৰ আঁতি-গুৰি আজি ভাঙি কওকচোন?"

তেতিয়া মন্ত্ৰীৰ ল'ৰাই ক'লে, "যিদিনাখন ৰাতি আমি তোমালোকৰ ঘৰত আলহী হৈ আছিলোঁ, সেইদিনা ৰাতি মই এটা বাগ দিছিলোঁ। ৰাতিপুৱা উঠি দেখোঁ তোমালোকৰ বান্দী এজনীয়ে, ৰাতি বাগ দিয়া মানুহজন বিচাৰি আহিছে। মই তাইৰ আগত মই কথাত মোক তাই নি ৰজাৰ আগত ভেটাই দিলে। তাৰ পিছত ৰজাই তোমাক মোৰ লগত বিয়া দিলে। মই এইখিনিকে মাথোন জানো।"

তেতিয়া ৰজাৰ জীয়েকে ক'লে, "তেনেহলে তুমি মোক ছল কৰি হে বিয়া ক'ৰালা।" মন্ত্ৰীৰ ল'ৰাই সুধিলে, "মই তোমাক কি ছল কৰিলোঁ?" ৰজাৰ জীয়েকে ক'লে, "আমি সেইদিনা যিজন মানুহৰ বাগ শুনিছিলোঁ, সেই মানুহজনৰ বাগ দেখোন আজি আকৌ পোতাশালৰ ফালে হে শুনিবলৈ পালোঁ। সিদিনাখনৰ বাগৰে সৈতে দেখোন আপোনাৰ মাত নিমিলে?"

মন্ত্ৰীৰ ল'ৰাই কোনো ৰকমে ৰজাৰ জীয়েকৰ কথাত সাৰিব নোৱাৰি শেহত সকলো কথা সৈ কাঢ়ি তেওঁক ভাঙি ক'লে। সেই কথা শুনি ৰজাৰ জীয়েকৰ মনত বৰ অসন্তোষ লাগিল। মন্ত্ৰীৰ ল'ৰাই ৰজাৰ জীয়েকৰ অসন্তোষ দেখি তেওঁক অসন্তোষ কৰিবলৈ হাক দিলে আৰু তেওঁৰ সকলো দুখ-বেজাৰ গুচাব বুলি প্ৰতিজ্ঞা কৰিলে।

পাছদিনা ৰাতি পুৱাওতে মন্ত্ৰীৰ ল'ৰাই শোৱা-পাটাৰপৰা হাত-মুখ ধুই, পোতাশালত বাগ দিয়া মানুহজন নো তেওঁৰ সখিয়েক হয় নে নহয় চাবলৈ গ'ল। গৈ দেখে যে সেইজন তেওঁৰ সখিয়েক-জনেই হয়। মন্ত্ৰীৰ পুতেকে তাৰপৰা উভতি আহি বাহিৰে বাহিৰে শহুৰেকৰ ওচৰলৈ গ'ল আৰু শহুৰেকক নমস্কাৰ কৰি তেওঁক এটা লগুৱা লাগে বুলি ক'লে। ৰজাই জোঁৱায়েকৰ কথা শুনি, "কোনটো মানুহ তোমাক লাগে নিয়া" বুলি কোৱাত মন্ত্ৰীৰ ল'ৰাই "এটা পোতাশালৰ বন্দী হে মোক লাগে" বুলি ক'লে। তেতিয়া ৰজাই পোতাশালৰ গৰাকী-জনক মতাই আনি জোঁৱায়েকক লগত দি ক'লে, "এওঁ যিজন বন্দী আনিব খোজে সেইজনকে মোকোলাই দিবা।" ৰজাৰ আদেশমতে পোতাশাললৈ গৈ মন্ত্ৰীৰ ল'ৰাই সখিয়েকক পোতাশালৰপৰা মোকলাই ঘৰলৈ লৈ আহিল।

ঘৰ পাই ৰজাৰ ল'ৰাৰ মুখৰপৰা তেওঁলোকে তেওঁৰ দুখৰ কথা শুনি তিনিওজনে কান্দিবলৈ ধৰিলে। তাৰ পিছত তেওঁলোকৰ কথা-বতৰা শেষ কৰি ৰজাৰ জীয়েকে ভাত-পানীৰ দিহা কৰিলে, আৰু তিনিওজনে খাই-বৈ উঠিল।

এতিয়া মন্ত্ৰীৰ ল'ৰাই ৰজাৰ পুতেকৰ লগত ৰজাৰ জীয়েকৰ তিৰী-পুৰুষৰ সম্বন্ধ লগাই দি সখিয়েকৰ শত্ৰু সাউদক এশিকা দি সখিয়েকৰ প্ৰতিশোধ লবলৈ তেওঁলোকৰ ওচৰত বিদায় লৈ ওলাই গ'ল।

যিজন সাউদে ৰজাৰ ল'ৰাক দুৰ্গতি কৰি পোতাশালত থৈছিল সেই সাউদৰ ঘৰতে মন্ত্ৰীৰ ল'ৰাও গধূলি বেলিকা ওলালগৈ। সাউদে তেওঁক দেখা পাই অহাৰ কাৰণ সুধিলে। মন্ত্ৰীৰ লৰায়ো "ফুৰি ফুৰি গধূলি হোৱাত আলহী চাপিলোঁ" বুলি ক'লে। তাৰ পিছত সাউদে তেওঁৰ আঁতিগুৰি লোৱাত, চতুৰ মন্ত্ৰীৰ ল'ৰাই সাউদেকে ক'লে, "মই কাৰণে মোৰ খাই-বোৱাই নালাগে। দেখিলা মোৰ আই হয়.

তেতিয়া মই পিয়াহ-খোৱা। মোৰ আই মৰাত মোক ডাঙৰ কৰিবলৈ কোনো নোহোৱাত আমাৰ গাঁৱৰ এঘৰ মানুহে মোক প্ৰতিপাল কৰিবলৈ নিছিল। মই পিয়াহ-খোৱা, তেওঁলোকে মোক ক'ৰপৰা পিয়াহ দিব? পিয়াহৰ সলনি তেওঁলোকে মোক ভাতকে দিবলৈ ধৰিলে। তাতে মোৰ দুদ-মৰকীয়া লাগি মই ভাত সৰহকৈ খাবলৈ ধৰাত মোৰ পেটটো টেকেলিৰ দৰে ওলাল। সেইদেখি মানুহে মোক পেট-ভাতু বুলি মাতিবলৈ ধৰিলে। আজি পৰ্য্যন্ত মোৰ সেই নামেই থাকিল। মই এতিয়া ডাঙৰ হোৱাত মোক প্ৰতিপাল কৰা মানুহঘৰে সৈতে মোৰ দন্দ-খাই লাগিবলৈ ধৰিলে। তাতে তেওঁলোকে আমনি পাই মোক মাৰি-কিলাই খেদি দিলে। ময়ো মনৰ বেজাৰত দেশ চাওঁ বুলি ওচি আহিলোঁ। আজি আপোনাৰ ইয়াতে ঈশ্বৰে ঠেকালে। মই এইদৰে ফুৰি থাকিম বুলিয়েই মনত ভাবিছোঁ, আৰু সুবিধা পালে কোনো-খাই বাখিলে থাকিবও পাৰোঁ।"

থকাৰ কথা শুনি সাউদে মাত লগালে, "বোপাই, থাক যদি মযে ৰাখিব পাৰোঁ।" পেট-ভাতুৱে উত্তৰ দিলে, "ভাল; য'তে ত'তে চুচৰি-বাগৰি ফুৰাতকৈ একেধৰতে থাকিব পাৰিলে ময়ো ধৰ্ম্মো।" সাউদে ক'লে, "বোপাই, থাকোঁ বুলি কৈছু হয়, কিন্তু এটা কথা,—যি মানুহ আগেয়ে মোৰ ইয়াত থাকোঁ বুলি শেহত নথকা হয়, মই তাৰ নাকে-কাণে লোৰ শলা মাৰি আমাৰ ৰজাঘৰৰ পোতাশালত থওঁ।" পেট-ভাতুৱে ক'লে, "মোৰ তেনে এটা দস্তুৰ আছে; অৰ্থাৎ যি মানুহে মোকো ৰাখোঁ বুলি শেহত নৰখা হয়, তেওঁকো নাকে কাণে লোৰ শলা মাৰি যেন ৰজাৰ পোতাশালত থব পাৰোঁ তেনেকুৱা এটা বন্দবস্ত লগাই হে থাকোঁ।" এইদৰে কোৱামেলা কৰি সেই ৰাতিয়েই দুয়ো বন্দবস্ত কৰি থকা আৰু ৰখাৰ ঠিক কৰিলে।

পাছদিনা ৰাতিপুৱা সকলো মানুহ উঠিল। সাউদে আন আন চাকৰৰ লগত পেট-ভাতুকো বন কৰাবলৈ লৈ গ'ল। পেট-ভাতুৱে ইমান উৎসাহেৰে বন কৰিবলৈ ধৰিলে যে, সাউদৰ আন চাকৰবিলাকে তাক কোনো বনতে বলে নোৱাৰা হ'ল। আন চাকৰবিলাকক গধাকীয়ে বন পাচিলে হে কৰে, কিন্তু পেট-ভাতুৰ হলে সেইটো নহয়, গধাকীয়ে নাপাচিলেও সি নিজৰ দিহাৰতে কামবোৰ কৰিবলৈ ধৰিলে। তাৰ বন দেখি সাউদৰ মনত বৰ বং লাগিল। শেহত সাউদে তাক আন চাকৰবিলাকৰ ওপৰত মুখিয়াল পাতি দিলে। পেট-ভাতুৱে আৰু দুগুণ উছাহেৰে কাম কৰিবলৈ ধৰিলে। সি চাকৰ-ইঁতক যে খাল-বিতি দিলিয়েই নিজেও বন কৰাত আগতকৈও বেছিকৈ কোৱাল হ'ল। তাৰ বন আৰু উছাহ দেখি সাউদৰ পেট-ভাতু হে পেট-ভাতু হ'ল। গোটেইখন ঘৰকে সাউদে পেট-ভাতুক গঁপি দিলে। সাউদে নিজে কিবা কৰিব লাগিলেও পেট-ভাতুক নোসোধাকৈ নকৰাত পৰিল। আন কি পেট-ভাতুৱে সাউদৰ বৈণীয়েকক ভাত বাঢ়িবলৈ শিকাবও লগাত পৰিল। যিদিনা ভাত বাঢ়োতে পেট-ভাতু নাথাকে সেইদিনা সাউদৰ ভাত-আঞ্জাৰ জুতিযেই নালাগে।

এইদৰে কেইদিনমান আছে, এদিন সাউদে পেট-ভাতুক ওচৰলৈ মাতি নি ক'লে, "বোপা, মই কাইলৈ বেপাৰলৈ যাম; তুমি ঘৰখন ভালকৈ চাবা। বিশেষকৈ খাবীখন চিকুণাই ৰাখিবা, যেন ভাত কু মাৰি ভাত খাব পৰা হয়। মই ঘূৰি আহি, কোৱা কথাৰ নৰচৰ দেখিব নালাগে।" পেট-ভাতুৱে সাউদৰ কথা শুনি "ভাল দেউতা" বুলি শলাগি থলে।

পাছদিনা ৰাতি পুৱালতে সাউদ নাৱত উঠি বেপাৰলৈ গ'ল। ইফালে পেট-ভাতুৱে খাবী চিকুণৱা কাৰণত ধুমধাম লগালে। চাকৰ লগাই দি খাবীত যি শইচ-সাৰ আছিল সকলোবোৰ কটাই নৈত উটাই দিবলৈ ধৰিলে। ঘৰৰ মানুহে সেইখাবে তাক কিবা ক'লে সি হে আকৌ সিহঁতক ডাবি দি উঠে। পেট-ভাতু আগৰপৰাই সাউদৰ বিশ্বাসী চাকৰ, কিজানি সাউদে তাক সেইদৰেই কৰাবলৈ কৈ গৈছে, এইবুলি ঘৰৰ আন মানুহেও তাক হাক দিবলৈ সাহ কৰিব নোৱাৰে। সিফালে পেট-ভাতুৱে খাবীত যি জাবৰ-জোঠৰ আছিল সেইবিলাক আতৰ কৰাই মছাই-সৰাই একেবাৰে সাউদে কোৱাতকৈও ওপৰ কৰি কু-মাৰি ভাত খাব পৰা কৰি থলে।

এনেতে সিফালৰপৰা সাউদো খেপাৰ কৰি উভতি আহিল। আহোঁতে, নৈত উটাই দিয়া আম কঠাল আদিৰ গছবিলাক সাউদে নৈত ভাজী হৈ থকা লগ পাবলৈ ধৰিলে। সেইবিলাক দেখি সাউদৰ মনত এটা অসন্তোষৰ ভাব আহি সোমাল। তেওঁ ভাবিলে, মই আহোঁতে খাবীখন চিকুণাই থবৰ নিমিত্তে পেট-ভাতুৰ আগত কৈ আহিছিলোঁ; কিজানি সিয়ে মোৰ মনৰ ভাব নুবুজি অন্য ৰকম কাম কৰিলে? ইত্যাদি ভাবি-চিন্তি আহোঁতে সাউদে নিজৰ ঘাট পালেহি। ঘাট পায়েই সাউদে নাৱৰপৰা নামি অইন কালে চকু নিদিয়াকৈয়ে খাবীৰ কালে লব ধৰিলে। খাবী পাই তেওঁ দেখিলে যে পেট-ভাতুৱে মানুহ লগাই খাবীখন মছাৰ সৰাবই লাগিছে। সাউদে দেখিয়েই বুকে-কপালে হাত দি বহিল। বহুত পৰ সাউদে তলমূৰ কৰি থাকি পেট-ভাতুক সুধিলে, "হেৰ! তই দেখোন একেবাৰে মোৰ সৰ্ব্বনাশ কৰিলি অ'?" পেট-ভাতুৱে উত্তৰ দিলে, "দেউতা,

ৰাণীয়ে আপুনি কোৱাৰ ওপৰ হৰলৈহে প্ৰাণপণে যত্ন কৰিছোঁ।" সাউদে আৰু একো উত্তৰ নিদি ঘৰলৈ আহি মনৰ বেজাৰত কাকো নমতা-নোবোলাকৈ শোৱাপাটীত পৰি থাকিল। পাছদিনা ৰাতিপুৱা পেট-ভাতুৱে তাৰ তলৰ বনুৱাবিলাকক ভাগে ভাগে বনলৈ পাচি দিলে। নিজে ঘৰত থ কি সাউদৰ ঘৈণীয়েকক ক'লে, "আই, দেউতা অনেক দিনৰ মূৰত আহি ঘৰ পাইছেহি। কালি গধূলি কিবা গা-মূৰৰ অসুখতে নে কি, দেখোন ভাত খোৱাও দেখা নাপালোঁ। এতিয়া আজি নো দেউতাক কিহেৰে ভাত খুৱাব খুজিছে বা? এই খাহীটোকে মাৰোঁ।" এই বুলি কৈ সি উত্তৰলৈ বাট নেচাই খাহীটো একে কোৰেই মাৰি পেলালে। সাউদে ইয়াতো তাক একো বুলিবলৈ বাট বিচাৰি নেপালে। তাৰ পাছত পেট-ভাতুৱেও, সাউদলৈ বন্ধা ভাত-আঞ্জাৰ জুতি দেখুৱাবলৈ ৰান্ধনীৰ পাছে পাছে ধুম-ধুপালকৈ লৰিবলৈ ধৰিলে।

সাউদনীয়ে পেট-ভাতুৰ দিহামতে ভাত-আঞ্জা ৰান্ধি শেষ কৰিলে। তাৰ পিছত সি সাউদনীক মঙহ ভাজিবলৈ চৰুত তেল বহাবলৈ দিলে আৰু চৰুত তেল বহোৱাৰ পিছত, সোনকালে তেল পকি উঠিবলৈ চৰুৰ তলত ভাঙৰকৈ জুই দিবলৈ ক'লে। সাউদনীয়ে পেট-ভাতুৰ কথামতে কাম কৰিলে। যেতিয়া তেল পকি জুই উঠিব লগীয়া হ'ল, সাউদনীয়ে সুধিলে, "পেট-ভাতু, এতিয়া মঙহ বহাই দিওঁ?" পেট-ভাতুৱে ক'লে, "ৰবা আই ৰবা, তেল ভালকৈ পকা নাই।" এইদৰে দুয়ো চাই আছে। পেট-ভাতুৱে যেতিয়া দেখিলে জুই নুঠিবৰ আৰু কোনো কাৰণ নাই, তেতিয়া সাউদনীক ক'লে, "আই এতিয়া মঙহ বহাই দিয়া।" তাৰ কথামতে সাউদনীয়ে মঙহ বহাই দিয়াত তমক্ কৰি জুই উঠি ৰান্ধনি-ঘৰৰ চালত লাগিলগৈ। ৰান্ধনী ওলাই লৰ মাৰিলে। এক মুহূৰ্তৰ ভিতৰতে জুইয়ে এটাইবোৰ ঘৰ আগুৰি পেলালে। সাউদৰ আৰু তেওঁৰ ঘৰৰ মানুহবিলাকৰ চিঞৰ-বাখৰ লাগি পৰিল। মানুহবিলাকৰ কোনোৱে জুই নুমাবলৈ চেষ্টা কৰিবলৈ ধৰিলে, কোনোৱে বা বস্তুবেহানি উলিয়াবলৈ লাগিল। সাউদ বেবুৰা লাগি ইকালে সিকালে লৰি ফুৰিবলৈ ধৰিলে। সাউদৰ এটা পাঁচ বছৰীয়া ল'ৰা আছিল। ল'ৰাটিয়ে এই কাণ্ড দেখি ভয়তে কান্দি কান্দি বাপেকৰ পাছে পাছে লৰি ফুৰিবলৈ ধৰিলে। সাউদে মনৰ বেজাৰত ক'লে, "এই নষ্ট বোৱাৰ নো আজি কি হ'ল? ই কিয় এনেকৈ মোৰ পাছে পাছে লৰি ফুৰিছে? ইয়াক নো কোনেও কোৱাই ৰাখিব নোৱাৰে নে?" সাউদৰ কথা শুনি পেট-ভাতুৱে টপৰ্ ক'ৰে মাত লগালে, "মই হেন ৰণী থাকোঁতে দেউতাৰ এনে দুখ হব লাগিল নে। মই তেনেহলে কেলেই বা দেউতাৰ ঘৰত আছোঁ।" এই বুলিয়েই সি টাঙোন এডাল আনি ল'ৰাটো কোবাই মাৰিলে। পেট-ভাতুৱে এইদৰে সাউদৰ কৰিবলগীয়া সকলোখিনি কৰিলে। পেট-ভাতুক আৰু ৰখা হ'লে আগলৈকো সি এনেকুৱা অনিষ্ট হে কৰি থাকিব, এই বুলি ভাবি সাউদে পেট-ভাতুক বিদায় দিলে।

পেট-ভাতুৱে তেওঁলোকৰ ষড়যন্ত্ৰমতে ৰজাৰ আগত গোচৰ দিলেগৈ। ৰজাই সাউদক ধৰাই নি সোধাত সাউদে পেট-ভাতুৰ অত্যাচাৰৰ কথাবিলাক বৰ্ণাই ৰজাৰ আগত ক'লে। পেট-ভাতুৱে ক'লে, "স্বৰ্গদেউ, তেওঁৰ মোৰ কথাৰ বাহিৰে চুলি এডালৰ ইফাল-সিফাল মই কৰা নাই। তেওঁ বেপাৰলৈ যাওঁতে মোক বাৰীখন কু-মাৰি ভাত খাব পৰা কৰি থব দিছিল; ময়ো তাকে কৰিছোঁ। ঘৈণীয়েকক মই ভাত ৰান্ধিবলৈ শিকাব লাগে; আঞ্জাত লোণ খাব দিবলৈ দেখুৱাবলৈ গৈছিলোঁ। ঘৈণীয়েকে তেল মাৰোঁতে ঘৰত জুই লগাই দিলে, মই কি কৰিম? তেওঁ তেওঁৰ ল'ৰাটো মাৰিবলৈ কোনো নাই বুলি দুখ কৰাত, চাকৰ থাকোঁতে গৰাকীৰ এনে দুখ হোৱা দেখি মই বেযা পাই ল'ৰাটি মাৰি দিলোঁ। স্বৰ্গদেৱে এতিয়া বিবেচনা কৰি চাই দোষীক দণ্ড কৰক" এই বুলি পেট-ভাতুৱে ক'লে। ৰজাই বিচাৰ কৰি চাই পেট-ভাতুক নিৰ্দোষী পালে। কবুলত হুৱা দোষত ৰজাই সাউদৰ নাকে-কাণে লোৰ শলা সৰাই সাউদক পোতাশালত থবলৈ আদেশ দিলে।

তেতিয়া মন্ত্ৰীৰ ল'ৰাই আনন্দ মনেৰে সখিয়েকৰ ঘৰলৈ আহি সকলো কথা সখিয়েকৰ আগত ক'লে। সাউদৰ অৱস্থাৰ কথা শুনি সখিয়েকৰ আৰু ঘৈণীয়েকৰ আনন্দৰ সীমা নাইকিয়াত পৰিল। এতিয়া তিনিওজনে গৈ ৰজাৰ ওচৰত নিজ নিজ চিনাকি দিলে, আৰু নিজ ৰাজ্যলৈ যাবৰ নিমিত্তে অনুমতি প্ৰাৰ্থনা কৰিলে।

ৰজাই সকলো কথা জানিবলৈ পাই সন্তোষ পালে। তাৰ পিছত ৰাণী আৰু প্ৰজাবিলাকে এই শুভ বাতৰি পাই ৰঙত তোলপাৰ লগাই দিলে। ৰজাই আৰু ৰাণীয়ে জোঁৱাইয়েকক খুৱাই বুৱাই অনেক ঐশ্বৰ্য্য-বিভূতি দি পঠিয়াই দিলে। তেওঁলোকেও আনন্দ মনেৰে নিজ ৰাজ্যলৈ উভতি আহিল।

চতুৰ্বিংশ সাধু

ককা।—"মই দেখিছোঁ ভাই আৰু এটা
কেনেকৈ কাম কৰিবলৈ শিকিছ।"

নাতি।—"কি ককাদেউতা ?"

ককা।—"তই কথা ৰঢ়াই কৰবলৈ শিকিছ। তই অলপ জাৰকে বৰ জাৰ, অলপ দুখকে বৰ দুখ, অলপ টান পোৱাকে বৰকৈ টান পোৱা বুলিবলৈ সহজ। কৰিছ তেনে কৰিব নাপায়। ঠিক কথাটো হে কব পায়। কথা ৰঢ়াই কওঁতে কওঁতে শেহত গৈ মিছাত পৰেগৈ। কবলগীয়া কথাটো ভাবি-চিন্তি জুখি হে কব পায়।"

নাতি।—"আজিৰপৰা তেনেকৈ কম ককা-দেউতা ; ৰঢ়াই নকওঁ।"

ককা।—"তেন্তে আজিৰ সাধুটো শুন,"—

শিয়াল-পগলা

একালত বিক্ৰমাদিত্য নামে এজন ৰজা আছিল। তেওঁৰ পুতেকে ভোজ ৰজাৰ জীয়েকক বিয়া কৰিছিল। বিক্ৰমাদিত্য ৰজাৰ ঘৰণ হেনো গঙ্গাৰ তীৰত আছিল। সেইদেখি বিক্ৰমাদিত্যৰ মৰণৰ সময় হ'লত তেওঁক গঙ্গাতীৰলৈ অনা হ'ল। কিন্তু গঙ্গাযাত্ৰা কৰি তেওঁক গঙ্গাৰ তীৰতে থোৱা হৈছিল, কোনোমতেই তেওঁৰ জীৱ নাযায়। লগত পুতেক আৰু বোৱাৰীয়েক দুয়ো আছিল। তিন দিনৰ মূৰত বিক্ৰমাদিত্যই অলপ জ্ঞান পাই পুতেকক ওচৰলৈ মাতি আনি ক'লে, "বোপাই, মোৰ সোণৰ খোঁৰাখোৰাটোত খপাত এহেপা খাবৰ মন গৈছে, দেছোন।" তালৈ খোঁৰাখোৰাটো লৈ যোৱা হোৱা নাছিল ; সেইদেখি পুতেকে ঘৈণীয়েকক শহুৰেকৰ ওচৰত থৈ লৰি খোঁৰাখোৰাটো আনিবলৈ গ'ল। এনেতে বুঢ়া ৰজাৰ অন্তিমকাল উপস্থিত হ'ল। ৰজাই তেওঁৰ মৰণ মূৰশিতানত জানি পুতেকক মাত লগালে—"বোপাই অ'। ওচৰ চাপি আহ, শুন।" বোৱাৰীয়েকেই "কি কৈছে, কওক" বুলি ক'লত ৰজাই পুতেকে উত্তৰ দিছে বুলি ভাবি ক'লে, "মোৰ এতিয়া প্ৰাণ যাব। এতেকে তোক কথা এটা কওঁ শুন,—মোৰ শোৱা পালেঙৰ তলত এক লাখ ৰূপ পোতা আছে ; তুলসীৰ তলত এক লাখ, আৰু গা-ধোৱা শিলছটাৰ তলত এক লাখ, মুঠতে এই তিনি লাখ টকা আছে। তই গা-পা ধুই মোৰ তুলসীৰ মালাধাৰ হাতত লৈ 'মোৰ পিতৃৰ ৰূপধান ক'ত কি আছে ওলাই পৰ' বুলিলেই এটাইবোৰ ওলাই পৰিব। সেই ৰূপ-ধানেৰেই তই সুখেৰে ৰাজ্য পালন কৰি খাই-লৈ থাকিব পাৰিবি।" বোৱাৰীয়েকে "ভাল দেউতা" বুলি কলাখিলত বিক্ৰমাদিত্যৰ তেজটোৰ পৰা জীৱটো ওলাই গ'ল ; পুতেকে খোঁৰাখোৰা লৈ বেলাবেলিকৈ আহিও বাপেকক নেপালেহি। বাপেকৰ মৰা-শটোৰ ওচৰত ঘৈণীয়েকক দেখি তেওঁ সুধিলে—"দেউতাই মৰিবৰ সময়ত কিবা কৈছিল নে ?" ঘৈণীয়েকে "একো কোৱা নাই" বুলি গিৰিয়েকক ফাঁকি দিলে।

ইয়াৰ পিছত পিতাকৰ কাঠসংস্কাৰ কৰি ৰজাৰ পুতেক, ঘৈণীয়েকেৰেসৈতে ঘৰলৈ গ'ল। ঘৰত কিছুদিন থকাৰ পিছত তেওঁলোকৰ খাবলৈ ভাত, পিন্ধিবলৈ কাপোৰ নাইকিয়া হৈ বৰ দুৰৱস্থা হ'ল। মাকে দিনটো মাগি খুজি কোনোমতে দুকঠিমান চাউল গোটাই আনে ; তাৰ একঠি মাক পুতেক দুয়ো খায়, আৰু একঠি অকলে বোৱাৰীয়েকক দিয়ে ; কাৰণ লোকৰ জীয়ৰী, তাই খোৱাত দুখ পালে আজি ধৰিয়েই যদি গুচি যায় তেন্তে কোনে নো তাইক কি কৰে ?

এইদৰে তেওঁলোকে দুখে-কষ্টে কিছুদিন চলিছে, এনেতে একদিনা-প্ৰতি ভোজ ৰজাই তেওঁৰ ঘৰত ভোজ পাতি জ্ঞাতি-কুটুম, অওহি-বওহি সকলোকে ভোজ খাবলৈ নিমন্ত্ৰণ কৰিলে। জীয়েকক ৰজাই ভোজ-বান্ধনী পাতি মতাই পঠিয়ালে। যি দিনা বাপেকৰ ঘৰৰপৰা জীয়েকক লৈ যাবলৈ মানুহ আহিছিল, সেই দিনা বিক্ৰমাদিত্য ৰজাৰ পুতেক কৰবালৈ ওলাই গৈছিল, ঘৰত নাছিল ; সেইদেখি ঘৈণীয়েকে গিৰিয়েকক লগ নাপাই শাহুয়েকৰ আগতে কৈ গ'ল—"আঃ, দহোৰনি, ধৰ লাগে, মোৰে শপত আপোনাৰ পুতেকক মোৰ বোপাইৰ ঘৰলৈ পঠিয়াই দিব ; আৰু ভোজৰ ৰজাৰ মাজত খুটাটোতে বহিবলৈ কব।" শাহুৱেকে "বাৰু ক'ম" বুলি শলাগি থাকিল। পুতেক আহিলত মাকে ক'লে, "বোপাই, শহুৰেৰৰ ঘৰত আজি বৰ ভোজ পাতিছে। ঘৈণীয়েৰক বান্ধনী পাতি মাতি নিছে ; আৰু তোক নিমন্ত্ৰণ কৰি গৈছে। আৰু ঘৈণীয়েৰে ধৰ-শপত দি গৈছে, যা বোপাই, গৈ আহ, নহলে শহুৰেৰে বেয়া পাব। ঘৈণীয়েৰে তোক ৰজাৰ মাজৰ খুটাটোৰ ওচৰতে বহিবলৈ কৈ গৈছে ; নহলে ধহত মানুহৰ মাজত তাই তোক চিনি নেপাব পাবে।" পুতেকে ক'লে, "আই, এতিয়া পথুলি হ'লহি, কি নো যাম, নেযাওঁৱেই দে। তাতে আকৌ আমি হৈছোঁ দুখীয়া মানুহ, কোনে নো আমাক সুধিব পুছিব ? নেযাওঁৱেই দে।" মাকে ক'লে "নহয় বোপাই শহুৰেৰে মাতিছে যেতিয়া যাবই লাগিব, নগ'লে তেওঁ বৰ বেজাৰ পাব। যা মোৰ বোপাই যা।" মাকে এইদৰে ক'লত বিক্ৰমাদিত্যৰ পুতেক ভোজলৈ গ'ল।

এজাৰ বাতি খপিয়াই-জপিয়াই কোনোমতে গৈ বিক্ৰমাদিত্যৰ পুতেকে শহুৰেকৰ ঘৰ পালেগৈ। ভোজৰ ৰজাৰ কেউকাষে গ্ৰহৰী আৰু দুৱাৰত দুৱৰী

আছিল। বাহিৰৰ বেৰ এৰিও ৰভাৰ ভিতৰত আৰু এখন বেৰ আৰু দুৱাৰ আছিল, তাতো প্ৰহৰী আৰু দুৱাৰত দুৱৰী আছিল। তেওঁ গৈয়েই প্ৰথমটো দুৱৰীক ক'লে, "দুৱৰী, দুৱাৰ এৰি দে।" দুৱৰীয়ে উত্তৰ দিলে, "ৰজাৰ হুকুম নহলে দুৱাৰ এৰি দিব নোৱাৰোঁ।" বিক্ৰমদিত্যৰ পুতেকে ক'লে, "দে সোপাই দে দুৱাৰ এৰি, সাত-সজীয়া লঘোণত মোৰ প্ৰাণ যায়।" এই বুলি ভালেখিনি খটখাজ কৰাৰ পিছত হে দুৱৰীয়ে তেওঁক দুৱাৰ এৰি দিলে। তাৰ পিছত তেওঁ গৈ দ্বিতীয় দুৱৰীক পাই ক'লে, "দুৱৰী, দুৱাৰ এৰি দে।" সিও আগৰটোৰ দৰে অনেক খটখাজ কৰি পিছত দুৱাৰ এৰি দিলত, তেওঁ ৰভাৰ ভিতৰ সোমাইহে ৰভাৰ মাজৰ খুটাটোৰ ওচৰতে বহিল, আৰু সকলো বাইজে পাত পাৰি লোৱা দেখি তেওঁ এখন পাত পাৰি ল'লে।

বৈণীয়েকে চাউল-সিজোৱা আৰু আঞ্জা আদি দিওঁতে আহি গিৰিয়েকক দেখিও নেদেখাৰ ভাও ধৰিলে, আৰু সকলোকে ভাত আঞ্জা দিলে কিন্তু গিৰিয়েকক নিদিলে। তাই সকলোকে সুধিলে— "আপোনাসকলে ভাত আঞ্জা পালেনে?" সকলোৱে "পালোঁ" বুলি মুখত গৰাহ ল'লে। এনেতে বিক্ৰমাদিত্যৰ পুতেকে মাত লগালে—"কি নো অভিমানী ৰজাৰ জীয়েক অ'! সকলোকে চাউল-সিজোৱা দিলে, মোক দেখোন নিদিলে!" এই কথা কাণত পৰিলতে ৰজাৰ জীয়েক তাৰপৰা গৈ বোহঘৰত সোমালগৈ। সকলো বাইজৰ পাতৰ ভাত-আঞ্জা চুকালত আকৌ দিবলগীয়া হোৱাত বান্ধনীৰ বিচাৰ লাগিল। বান্ধনীক কতো বিচাৰি নাপাই, শেহত বোহ-ঘৰত বিচাৰিলত তাতে বান্ধনী ওলাল। বাপেকে ক'লে, "আই, তোৰ নো কি হ'ল? কিয় বোহ পাতি শুই আছহি? ইমানখন বাইজ ভাতৰ পাতত বহি আছে, তই ভাত নিদি শুই আছহি, বাইজে মোক শাও দিব এতিয়া। তই উঠি আহ, বাইজক ভাত দেহি, তোক যি লাগে মই তাকে দিম।" জীয়েকে উত্তৰ দিলে, "সেই ৰভাৰ মাজৰ খুটাটোৰ ওচৰত বহি থকা মানুহটো কাটি তাৰ তেজ মোক দেখুৱালেহে মই যাম; সি মোক আজি ধৰকৈ অপমান কৰিলে।" জীয়েকৰ কথা শুনি ৰজাই তেতিয়াই কুকুৰা-কটা চাওদাওক মতাই আনি সেই মানুহজনক কাটিবলৈ হুকুম দিলে। এই কথা দেখি পাত্ৰ-মন্ত্ৰী সকলোৱে ভাবিলে—"এহ্! কি অন্যায় কথাটো হ'ল। এইৰ কথাৰেই এইহেন ঠানুৱা মানুহজনক কটাব লাগিল নে কি?" এইবুলি তেওঁলোকে মনেমনে তেওঁক হাবীৰ ঘৰৰ ওচৰৰ জাপ-চাটিৰ মাজত লুকাই থৈ, চাওদাওৰ হতুৱাই কুকুৰ এটা কটাই তাৰ তেজ আনি ৰজাক আৰু ৰজাৰ জীয়েকক দেখুৱালে। তেজ চাই হে বান্ধনীয়ে উঠি আহি বাইজক ভাত আঞ্জা দিলেহি। বাইজে খাই-বৈ উঠি গ'লত ৰজাৰ জীয়েকে সোণৰ মাইহাণ্ডত ভাত লৈ হাবীটোক দিলেহি। ভাত অনা দেখি হোৱা দেখি হাবীটোৱে ৰজাৰ জীয়েকক গালি পাৰি ক'লে, "কটা কুকুৰৰ জীয়েক। ইমান পৰলৈকে তই মোলৈ ভাত নানি কি কৰিছিলি হঁয়?" ৰজাৰ জীয়েকে উত্তৰ দিলে--"কিনো শংখন খাইছে এ আই। তাক মাকুটীয়েকে কটালোঁ নহয়; সেই হে ইমান দেৰি হ'ল। এতিয়া আৰু কি ভয় আছে? আমি দুয়ো সুখেৰে খাই-বৈ থাকিব পাৰিম। সেই যে তাৰ বাপেকৰ মলাধাৰ আছে, মই গা ধুই উঠি সেইধাৰ হাতত লৈ, 'মোৰ পিতৃৰ টকা ক'ত কিমান আছে ওলাই পৰ' বুলিলেই, তাৰ পালেঙৰ তলৰপৰা এক লাখ, তুলসীৰ তলৰপৰা এক লাখ, আৰু গা ধোৱা শিলৰ তলৰপৰা এক লাখ ওলাব; তাৰেই আমি দুয়ো সুখেৰে খাই-বৈ থাকিম, আমাৰ আৰু কিহৰ চিন্তা?"

বিক্ৰমাদিত্যৰ পুতেকে জাপ-চাটিৰ মাজৰপৰা এইবোৰ কথা শুনি আছিল। তেতিয়াই তেওঁ তাৰ ভিতৰৰপৰা ওলাই ঘৰলৈ গৈ পদূলিৰ মুখতে থকা, পুখুৰীটোত গা ধুই, মালাধাৰ হাতত লৈ "মোৰ পিতৃৰ ধন য'ত যি আছে, ওলাই পৰ" বুলিলতে সকলোখিনি ওলাই পৰিল। তেওঁ তেতিয়াই সেই ধনৰে কিছুমান মাকক দি ক'লে, "আই, কাইলৈ যদি কোনোবা আহি তোক বচকিও সিগে তথাপি তই এই টকাৰ সৈ নলবি।" এই বুলি মাকক কৈ তেওঁ বাকী টকাবোৰ লৈ বাটত থকা জৰীগছ এজোপাৰ আগত উঠি থাকিল। পিছদিনা ভোজ ৰজাৰ জীয়েকে হাবীটোৰে সৈতে আহি কপ-খান একো নেপাই বুঢ়ীক সুধিও একো উৱাদিহ উলিয়াব নোৱাৰি নিৰাশ হৈ গুচি গ'ল। ইয়াৰ পিছত বিক্ৰমাদিত্যৰ পুতেকে গছৰপৰা নামি আহি কিছুমান কপ লগত লৈ বাকীখিনি পুখুৰীটোতে ভালকৈ লুকাই পুতি থলে। আগৰদৰে দেখাশুনাকৈ থাকিলে আপদৰ ভয় দেখি তেওঁ মৰা শিয়ালৰ মোট এটা পিন্ধি পগলাৰ ভাও ধৰি ঘৰ এৰি গাঁৱে গাঁৱে ফুৰিবলৈ ধৰিলে। তেতিয়াৰেপৰা তেওঁৰ নাম "শিয়াল পগলা" হ'ল।

শিয়াল-পগলাই এইদৰে ফুৰি ফুৰি এখন বেলেগ ৰজাৰ নগৰত ওলালগৈ। সেই ৰজাৰ নগৰতে সোণাৰি এটাই কিছুমান ৰজা-ৰাণীৰ অলঙ্কাৰ কৰি থকা দেখি তেওঁ সোণাৰিটোক ক'লে, "হেৰ সোণাৰি, তোক ধন দিওঁ, তোৰ অলঙ্কাৰবোৰ মোক দিবি নে?" সোণাৰিয়ে ক'লে, "ৰজাৰ অলঙ্কাৰ মই তোক কেনেকৈ দিম বোপাই?" শিয়াল-পগলাই ক'লে,

"বিমান বেচ তাতকৈ সৰহকৈ টকা দিওঁ দে।" সোণাৰিয়ে অলঙ্কাৰৰ বেচতকৈ বেছি টকা পাই অলঙ্কাৰবোৰ শিয়াল-পগলাক দিলে। শিয়াল-পগলাই অলঙ্কাৰবোৰ জোকাৰি-জোকাৰি নাচি কুৰিবলৈ ধৰিলে। শিয়াল-পগলাই শিয়ালৰ ছালৰ মোটটোৰ ওপৰত লালী গুড় সানি লৈছিল, সেইদেখি তাত ভেনামাখিয়ে ভেন্-ভেনাই থাকে।

এইদৰে গৈ গৈ শিয়াল-পগলা ৰজাৰ ঘৰৰ ওচৰ পালেগৈ। সি নো কৰে কি,—যেতিয়া ৰজাৰ জীয়েক আৰু পাত্ৰৰ জীয়েক পঢ়াশালিলৈ যায়, তেতিয়া সি বাটতে পথালি দি পৰি থাকে। পাত্ৰৰ জীয়েকে কয়,—"এই পোক-লগা শগুণেখোৱা-টোকনো বাটত পৰি থাকিবলৈ কিহে পাইছে অ'?" তেতিয়া শিয়াল-পগলাই কেঁকাই কেঁকাই কয়, "কত মানুহ মোৰ ওপৰেদিয়েই ডেই যাব লাগিছে, তোমা-লোক গলে নো কি হানি আছে। যোৱাঁ আইহঁত, মোক ডেইয়েই যোৱাঁ।" কিন্তু তেওঁলোক সেইদৰে যাবলৈ অসন্মত হ'লে সি অলপ কাতি হৈ বাট এৰি দিয়ে, আৰু সেই পিনেই দুয়ো গুচি যায়। এইদৰে বহুত দিন যোৱাত এদিন শিয়াল-পগলাই ভাবিলে, "আজি বাট এৰি নিদিওঁ।" ইয়াকে ঠিক কৰি সি সেইদিনাও আগৰদৰে বাটত পথালি দি পৰি থাকিল। ৰজাৰ জীয়েক আৰু পাত্ৰৰ জীয়েকে পঢ়াশালিৰ পৰা উভতি আহি সেইখিনি পাই থমকি ৰ'ল। ৰজাৰ জীয়েকে তো নামাতেই; পাত্ৰৰ জীয়েকে মাত লগালে, "হেৰ পোক-লগা! বাট এৰি দে। নিতৌ তই কি এইদৰে মাজ বাটত পথালি দি পৰি বাট ভেটি থাক? বাট এৰি দে, নহলে ঠিক কৈছোঁ, আজি বুঢ়ীমাৰে তোক ডেই গুচি যাম।" এই কথা শুনি শিয়াল-পগলাই ক'লে, "যোৱাঁ আইটি যোৱাঁ, কত মানুহ ডেই যাব লাগিছে, তুমি গলে নো কি হ'ল? মই উঠিব নোৱাৰো, তুমি ডেই যোৱাঁ।" এই কথা শুনি পাত্ৰৰ জীয়েকৰ খং উঠি তাৰ বুকুতে ভাই ভৰি দি গুচি গ'ল। কিন্তু ৰজাৰ জীয়েক সংগে তাতে থিয় হৈ থাকিল। আজি ৰজাৰ জীয়েকে নামাতিলে নচলাত পৰিল দেখি লাহেকৈ মাত লগালে, "শিয়াল-পগলা, মোক অলপ বাট এৰি দিয়া দেও হে। বেলি হ'ল, ঘৰত খং কৰিব।" সি উত্তৰ দিলে—"বোৱা আইটি মোক ডেইয়েই যোৱাঁ, তোমাৰ লগৰীয়া সখীয়েৰাই তো বুকুত ভৰি দিয়েই গ'ল, তুমিও যোৱাঁ, একো হানি নাই।" ৰজাৰ জীয়েকে মিহিকৈ উত্তৰ দিলে, "মই সেইদৰে নেযাওঁ দেও হে; তেওঁ গ'ল, যাওক; মইতো আৰু মোৰ সখী নহওঁ। মোক কৃপা কৰি অলপ কাতি হৈ বাট এৰি দিয়া দেও হে।" ৰজাৰ জীয়েকৰ কথা শুনি শিয়াল-পগলাই ক'লে, "তুমি যদি মোলৈ আহিম বুলি সইত খোৱাঁ তেহে মই বাট এৰি দিম, নহলে নিদিওঁ। তোমাৰ মন যায় যদি ডেইয়েই যোৱাঁ।" শিয়াল-পগলাৰ কথা শুনি ৰজাৰ জীয়েকে মহা মঙ্কিলত পৰি ভালেখিনি বেলি ভাবি থাকি নিৰুপায় হৈ শেহত ক'লে, "বাৰু সইত সইত তিনি সইত খাই কৈছোঁ তোমালৈ আহিম। এতিয়া তুমি মোক বাট এৰি দিয়া।" ৰজাৰ জীয়েকে তালৈ আহিম বুলি সইত খালত শিয়াল-পগলাই বাট এৰি দিলে।

ৰজাৰ জীয়েক ঘৰ পায়েই সোমেই বোহ-ঘৰত সোমালগৈ। ৰজাৰ জীয়েকক বিচাৰি নাপাই জীয়েকৰ সখীয়েকক সোধাত সখীয়েকে ক'লে, "শিয়াল-পগলা বুলি পোক-লগা মানুহ এটা বাটত পৰি বাট ভেটি আছিল। মই তাৰ বুকুতে ভৰি দি ডেই গুচি আহিলোঁ, কিন্তু সখী নাহি তাতে তাৰে সৈতে খট্‌খাজ কৰি আছিল। এতিয়াও তাতে থাকিব পায়।" এই কথা শুনি ৰজা তালৈ গৈ তাতো জীয়েকক নাপাই, বোহ-ঘৰত চাই অতে পালে। "তোৰ কি হ'ল? কিয় বোহ-ঘৰত পৰি আছ?" বুলি ৰজাই জীয়েকক সুধিলত জীয়েকে ক'লে, "দেউতা, আপুনি মোক যদি শিয়াল-পগলালৈ বিয়া দিয়ে, তেহে মই ভাত খাম, নহলে নাখাওঁ; নাখাই মৰি যাম।" ৰজাই অনেক বুজাই-বঢ়াইও জীয়েকৰ মনৰপৰা সেই সঙ্কল্প এৰুৱাব নোৱাৰি শেহত নিৰুপায় হৈ "বাৰু শিয়াল-পগলালৈকে তোক বিয়া দিম, এতিয়া আহ, ভাত খাহি।" বুলি কৈ জীয়েকক মাতি আনি ভাত খুৱালেহি। পিছে ৰজাই এই কথা পাত্ৰ-মন্ত্ৰী সভাসদসকলক মাতি আনি ক'লত তেওঁলোকে ক'লে "মহাৰাজে যেতিয়া দিম বুলি সৈ কাটিছে, আইদেওক শিয়াল-পগলালৈকে দিবই লাগিব। কিন্তু মহাৰাজে এটা কাম কৰক,—চাৰিওফালৰপৰা ৰজাৰ কোঁৱৰসকলক নিমন্ত্ৰণ কৰি আনি স্বয়ম্বৰ পাতি আইদেওক সোৱাই-ধুৱাই তকুলী হাতীত তুলি তেওঁৰ হাতত মালা দি স্বয়ম্বৰ-সভালৈ পঠিয়াই দিয়ক। তেওঁ যাকে মন যায় তাৰে ডিঙিত মালা দি ধৰক, সেয়ে মহাৰাজৰ জীয়েকক পাব। তেওঁ যদি শিয়াল-পগলাৰ ডিঙিতে মালা দিয়ে দিয়েই তেওঁক পাওক, তেতিয়া আৰু স্বৰ্গদেৱৰ গাত প্ৰত্যবায় নাথাকে।"

পাত্ৰ-মন্ত্ৰী সভাসদসকলৰ মন্ত্ৰণা শুনি ৰজাই জীয়েকক সোৱাই-ধুৱাই তকুলী হাতীত তুলি দি সভালৈ পঠিয়াই দিলে। জীয়েকে সভালৈ আহি কাৰো ডিঙিত মালা নিদি, সভাৰ আগচোতালত পৰি থকা শিয়াল-পগলাৰ ডিঙিত মালা দিলে। এই কথা দেখি সকলোৱেই ৰজাই ছিঃ! ছিঃ! কৰি কন্যাৰ বাপেক ৰজাক গালিপাৰি দি সভাৰপৰা উঠি গুচি গ'ল।-

ইয়াৰ পিছত ৰজাই দূৰত এটা ঘৰ সজাই বন্দী-বেটী লগত দি জীয়েক-জোঁৱায়েকক তাতে থৈ দিলে। পাত্ৰৰ জীয়েকে মাজে মাজে সখীয়েকক চাবলৈ আহি, বাহিৰৰপৰা মাতে—"সখী, তোমাৰ সেই পোক-লগাটো ঘৰৰ ভিতৰত আছে নে? আছে যদি মই ঘৰৰ ভিতৰলৈ আৰু নাযাওঁ; তুমি-য়েই এখন্তেক ওলাই আহাঁ, তোমাক চাই গুচি যাওঁ।"

এইদৰে কিছুদিন থকাৰ পিছত এদিন শিয়াল-পগলাই গা ধুবলৈ তপত পানী বিচাৰি লিগিৰীজনীক পানী তপতাই আনি দিবলৈ ক'লে। লিগিৰীয়ে পানী আনিলত, শিয়াল-পগলাই তাইক পানী থৈ যাবলৈ ক'লত, লিগিৰীজনীয়ে তাৰপৰা গৈ আঁতৰৰ-পৰা লুকাই থাকি, সি গা ধোৱা চাই আছিল। এনেতে শিয়াল-পগলাই তাৰ মোটটোৰ মুখৰডোখৰ গুচাওঁতেই মুখখন ভিজিলেকে ওলাই জোনটো জিলিকাদি জিলিকিবলৈ ধৰিলত, তাই দেখি লৰি গৈ ৰজাৰ জীয়েকৰ আগত ক'লেগৈ—"আইচু, লৰি আহক, চাওকহিচোন। আপোনাৰ গিৰিয়েকৰ জেউতিটো! তেওঁ কিবা মোট পিন্ধিহে ভেশচন কৰি আছিল।"

এই কথা শুনি ৰজাৰ জীয়েকে লৰি আহি দেখিলে যে লিগিৰীৰ কথা সঁচা। ঠানুৰা গিৰিয়েকৰ ৰূপ চাবিওঁতালে চিটিকি পৰিছে। তেওঁ লৰালৰিকৈ আহি গিৰিয়েকৰ মোটটো কাঢ়ি পেলাই দি হুৰ্ হুৰ্ কৰে গাত পানী ঢালি ঘঁহি-পিহি দিলে; আৰু তেতিয়াই তেল-টেঙা অনাই ঘঁহি চাক-চিকুণ কৰি কাপোৰ কানি পিন্ধাই দিলত গিৰিয়েক দিপ্‌লিপ পুৰুষজন হ'ল।

ইয়াৰ পিছত গিৰিয়েকে বৈণীয়েকৰ আগত আগৰপৰা শুনিলেকে তেওঁৰ সকলো কথা ক'লে। লিগিৰীয়ে লৰি গৈ ৰজাৰ মাদৈক ক'লে—"মাদৈ, আহক চাওকহিচোন আপোনাৰ জোঁৱায়েকক। তেওঁ কিবা ভেশচন কৰি হে আজি অতদিন আছিল। আজি আইচুৱে তেওঁক গা ধুৱাই দিছে, যেনেকৈ হে তেওঁ জিলিকিছে, যেনিটোলৈকে চাব পাৰি তেওঁ আপোনাৰ জোঁৱায়েকৰ কালে চাব নোৱাৰি।" এই কথা শুনি, লিগিৰীজনীয়ে তেওঁক ঠাট্টা কৰিছে বুলি মাদৈয়ে হিয়া ভুকুৱাই কান্দিবলৈ ধৰিলে। ৰজাই মাদৈৰ কান্দোন শুনি লৰি আহি কি হৈছে বুলি সুধি সেই কথা শুনি একেলৰেই জীয়েক-জোঁৱায়েকৰ ঘৰ ওলালগৈ। তেওঁ গৈ দেখে যে কথা সঁচা। তেতিয়া মাদৈও আহি তাতে ওলাই আনন্দত জীয়েক-জোঁৱায়েকৰ ডিঙিত ধৰি কান্দিবলৈ ধৰিলে। ৰজাই জোঁৱায়েকৰ মুখৰপৰা তেওঁ এজন ৰজাৰ কোঁৱৰ বুলি জানি বৰ ৰং পালে।

নগৰত এই কথা বিয়পি পৰিলত ৰজাৰ জোঁৱা-য়েকক চাবলৈ মানুহ ভাগি পৰিলহি। মানুহৰ হেঁচা কমিলত গধূলি পৰত পাত্ৰৰ জীয়েক ওলালহি। পাত্ৰৰ জীয়েকে এই কথা কোনোমতে পতিওৱা নাছিল। তাই ভাবিছিল এইটো কিবা মিছাকৈয়ে এটা চৌ তুলি দিছে। তাকে ভাবি তাই আহি সখীয়েকক মাতি সুধিলে, "হয় নে দেও হে। তোমাৰ পোক-লগাটো হেনো বৰ ধুনীয়া হৈ পৰিছে?" "কিয়নো ঠাট্টা কৰা দেও হে?" বুলি ৰজাৰ জীয়েকে সখীয়েকক কৈ মনে মনে থাকিল। পিছে ৰজাৰ জীয়েকৰ গিৰিয়েকে পাত্ৰৰ জীয়েকক ভিতৰলৈ মাতি নিবলৈ বৈণীয়েকক ক'লত, পাত্ৰৰ জীয়েকে সখীয়েকক সুধিলে,—"সখী, তোমাৰ পোক-লগা শগুণে-খোৱা ধুনীয়াটো ভিতৰতে আছে নে কি?" ৰজাৰ জীয়েকে সাহেকৈ "নাই" বুলি ক'লত পাত্ৰৰ জীয়েক ঘৰৰ ভিতৰলৈ সোমাই গ'ল। পাত্ৰৰ জীয়েকক ঘৰৰ ভিতৰত পাই ৰজাৰ জোঁৱা-য়েকে ধৰি তাইক নাক-কাণ কাটি খেদি পঠিয়াই দিলে। পাত্ৰৰ জীয়েকে কান্দিকাটি তাইৰ ঘৰলৈ গৈ, কটা নাক-কাণ বাপেকক দেখুৱাই সেই কথা ক'লত পাত্ৰে ৰজাৰ আগত গোচৰ দিলেহি। পাত্ৰৰ কথা শুনি ৰজাৰ বৰ খং উঠিল। ৰজাই তেতিয়াই জীয়েকৰ ঘৰলৈ গৈ জীয়েকক সুধিলে, "জোঁৱাইয়ে পাত্ৰৰ জীয়েকৰ নাক-কাণ কাটিবৰ কোন?" জীয়েকে উত্তৰ দিলে, "আপুনি নো এই কথা সুধিবৰ কোন?" ৰজাই এনে উত্তৰ শুনি তথা লাগি ক'লে—"মই কোন তই নাজান? মই ৰজা।" জীয়েকে উত্তৰ দিলে—"মোৰ গিৰি-য়েঁতও মহাৰাজা বিক্ৰমাদিত্যৰ পুতেক মহাৰাজা।" বিক্ৰমাদিত্যৰ নাম শুনিয়েই ৰজা জঁয় পৰি গ'ল। তেওঁ তেতিয়া জোঁৱায়েকৰ আঁতিগুৰি বুজি লৈ ক'লে, "তেওঁ দেখোন পাত্ৰৰ জীয়েকৰ হে নালাগে আমাৰও নাক-কাণৰ গৰাকী। তেওঁৰ আগত আমি নো কি এখুদমান ৰজা।" এই বুলি ৰজাই জোঁৱায়েকক বৰ মান সৎকাৰ কৰিলত, জোঁৱায়েকে তেতিয়া নিজৰ আঁতিগুৰি, আৰু কিয় তেওঁৰ ৰাজ্য এৰি তেওঁ এইদৰে বলিয়া হৈ ঘূৰি ফুৰিছিল, ইত্যাদি সকলো কথা শহুৰেকৰ আগত ভাঙি-পাতি ক'লে; আৰু পাত্ৰৰ জীয়েকে তেওঁক কেনেকৈ সদায় অপমান কৰি আছিল, আৰু সেইবাবে হে যে তেওঁ তাইৰ নাক-কাণ কাটিলে এই কথাও ক'লে। এইবোৰ কথা শুনি শহুৰেক ৰজাই জোঁৱায়েকক আনি নিজৰ সিংহাসনত বহুৱাই নিজে মামনিৰ খাটোলাত বহিল।

ইয়াৰ পিছত ৰজাই কন্যাদানৰ ভোজ দিবলৈ ন-কুৰি হনুৱাক ন-কুৰি পছু মাৰি আনিবলৈ হাবিলৈ পঠিয়ালে। হনুৱাবোৰে পছু মাৰাই, গধূলি উভতি

আহি ৰজাৰ জোঁৱায়েকৰ আগত দীঘল দি পৰি ক'লে, "আমাক ৰাখক। আমি পহু নাপালোঁ বুলি ক'লে ৰজাই আমাক কাটিব।" জোঁৱায়েকে হৰুৱাইঁতক অভয় দিলত সিহঁত ৰাতি তাতে থাকিল। বিক্ৰমাদিত্য ৰজাৰ পুতেকে সেই ন-কুৰি হৰুৱাৰ টিকাত চাব দি সিহঁতক নিজৰ কৰি ললে, আৰু পিছদিনা নিজে হাবিলৈ গৈ ন-কুৰি পহু মাৰি আনি শহুৰেকক দি বৰ ভোজ পতাই সকলোকে খুৱালে।

বিক্ৰমাদিত্য ৰজাৰ পুতেক কিছুমান দিন তাতে থাকি, তাৰ পিছত নিজৰ ঘৰলৈ যাবলৈ ওলাল। শহুৰ-শাহুৰেকক বিদায় লৈ তেওঁ যৌতুক পোৱা বেটী-বান্দী লা-লগুৰা, দোলা-ঘোঁৰাৰে সৈতে সেই ন-কুৰি হৰুৱা লগত লৈ ঢোলে-খোলে গাজনে-বাজনে তলৰ বাট ওপৰকৈ যাবলৈ ধৰিলে। বিক্ৰমাদিত্যৰ পুতেক এইদৰে গৈ নিজৰ ঘৰৰ ওচৰ পালত অলৰ-অথৰ বুঢ়া-মাকে ভয় খাই চুচৰি-বাগৰি কোনোমতে গৈ বাৰী-চুকৰ হাবিত সোমালগৈ। পুতেকে ঘৰ পাই মাকক নেদেখি বিচাৰি বাৰী-চুকৰ হাবিত পাই, নিজৰ চিনাকি দি আৰু নিৰ্ভয় দি উলিয়াই আনিলে। ইয়াৰ পিছত তেওঁ নিজৰ ৰাজ্যখন ভালকৈ পাতি লৈ মহাপয়োভৰেৰে ৰাজত্ব কৰিবলৈ ধৰিলে; আৰু তেওঁৰ প্ৰাণ ৰক্ষা কৰা সেই ভোজ ৰজাৰ মন্ত্ৰী কেইজনক মতাই অনাই নিজৰ মন্ত্ৰী পাতি বিষয়-বাসনা দি ৰাখিলে। ভোজ ৰজাৰ জীয়েকক হাবী-টোৰে সৈতে ধৰাই আনি একেটা গাঁততে পুতি মাৰিলে; আৰু আগেয়ে পুখুৰীত থৈ যোৱা ৰূপবোৰ উলিয়াই আনি অকণ্টকা ৰাজ্য ভোগ কৰিবলৈ ধৰিলে।

পঞ্চবিংশ সাধু

ৰজাৰ ল'ৰা আৰু শিয়াল

এক ৰজাৰ ল'ৰাই দেশ চাবৰ মনেৰে এটা ঘোঁৰাত উঠি ঘৰৰপৰা বাজ হ'ল। তেওঁ সেইদৰে দুই তিনিখন দেশ ফুৰাৰ পাছত এদিন হাবিৰ মাজৰ বাট এটাতে তেওঁৰ গধূলি হ'ল। সেই সময়তে এটা শিয়াল হাবিৰপৰা ওলাই আহি সেই বাটতে তেৰ ভুৰি বহি আছিল। ৰজাৰ ল'ৰাই তাক দেখি-য়েই মাত লগালে, "হেৰৌ! খোৱাকটাৰ মুখে খোৱা হেৰৌ! মোৰ ঘোঁৰাই ভয় খাব; আঁতৰ হ। নহলে মই মাৰিবলৈ পালে তোৰ কঁকালৰ যোৰা ভাঙিব।" শিয়ালে উত্তৰ দিলে, "মই আঁতৰ হব নোৱাৰোঁ। তোৰ ঘোঁৰা একলীয়াকৈ লৈ যা।" একোপদে শিয়াল বাটিৰপৰা আঁতৰা দেখি ৰজাৰ ল'ৰাই তেওঁৰ ঘোঁৰা একলীয়াকৈ লৈ গ'ল। কিন্তু যাওঁতে কৈ গ'ল "থাক, তই আজি থাক। আজি নিশা হ'ল, তোক আৰু নোজোকাওঁ; মই ঘূৰি আহোঁগৈ; দেখিবি তই মোৰ ভৰিত দীঘল দি পৰ নে নপৰ।" ৰজাৰ ল'ৰাৰ কথা শুনি শিয়ালেও ক'লে, "যা যা ঘূৰিয়েই আহগৈ। তয়ে মোৰ ভৰিত পৰ নে ময়েই তোৰ ভৰিত পৰোঁ চাম।"

এইদৰে চুপতা-চুপতি কৰি ৰজাৰ ল'ৰা গাঁৱৰ ফালে গুচি গ'ল। শিয়ালও তাতে বহি থাকিল। ৰবকৈ ৰাতি হোৱা দেখি ৰজাৰ ল'ৰা এক গৃহস্থৰ ঘৰত আলহী ৰবলৈ বুলি সোমাল। সোমাই যাওঁতেই তেওঁ তেওঁৰ ঘোঁৰাটো গৃহস্থক সোধোৱাকৈ সেই গৃহস্থৰে ঢেকীশালত বান্ধি থৈ গৈ শুদা মানুহটো থাকিবৰ নিমিত্তে সিহঁতক ঠাই খুজি লৈ ৰাতিটো পৰি থাকিল। পিছদিনা পুৱাই সিহঁতে ঢেকী-শালৰ ফালে গৈ দেখিলে যে তাত এটা ঘোঁৰা বন্ধা আছে। ঘোঁৰাটো দেখিয়েই সি বিভিয়াই কবলৈ ধৰিলে—"ঔ আমাৰ ঢেকীশালে ঘোঁৰা এটা জগালে ঔ।" এইবুলি বাৰে বাৰে কৈ সি ৰঙত নাচিবলৈ ধৰিলে। এনেতে ৰজাৰ ল'ৰাই সাৰ পাই উঠি আহি তেওঁৰ ঘোঁৰাটো গৃহস্থই নিজৰ ঘোঁৰা বোলা দেখি আচৰিত মানি ক'লে, "কেলেই, এইটো মোৰ ঘোঁৰা। কালি ৰাতি মই আহোঁতে লৈ আহি-ছিলোঁ, আৰু ইয়াতে বান্ধি থৈ গৈছিলোঁ। ক'ৰ তোমাৰ ঢেকীশালে ঘোঁৰা জগালে হেঁ? দিয়া মোৰ ঘোঁৰাটো মই লৈ যাওঁ।" সেই ৰজাৰ ল'ৰাই এইদৰে ক'লে, সিহঁতে তেওঁক গালি-শপনি পাৰি সাং কৰিলে, আৰু মাখোন ছুই হে নিকিলালে। শেহত ৰজাৰ ল'ৰাই একো উপায় নাপাই সেই ঠাইৰ ৰজাৰ আগত গোচৰ দিলেগৈ। ৰজাই গৃহস্থক ধৰাই সি সেই কথা সুধিলত, সি তাৰ ঢেকীশালে সেইটো ঘোঁৰা জগালে বুলি কৈ তাৰ কনীয়া সাক্ষী-সাবুদ দিলে। ৰজাই ৰজাৰ ল'ৰাক "তোমাৰ কোন সাক্ষী আছে" বুলি সুধিলত, ৰজাই ল'ৰাই ক'লে, "মোৰ সাক্ষী কোনো নাই। ৰাতি আনি মই ঘোঁৰা বান্ধি থৈছিলোঁ, কোনেও দেখা নাছিল।" ৰজাই ক'লে, "তোমাৰ সাক্ষী নাই যদি এইখন মিছা গোচৰ। তুমি ঘোঁৰা অনাই নাই, আৰু এইটো ঘোঁৰা তোমাৰ নহয়।" এই কথা শুনি ৰজাৰ ল'ৰা বিস্ময়ত পৰি অলপ ভাবি থাকি মাত লগালে, "সৰ্গদেও, মই ঘোঁৰা অনা সঁচা। মই ৰাতি ঘোঁৰা আনিছিলোঁ, সেইদেখি লোক কোনেও দেখা নাছিল; আৰু দেখিছিল যদিও মই হলে দেখা নাছিলোঁ। বাটত এটা শিয়ালে মাথোন মোক ঘোঁৰাত উঠি অহা দেখি-ছিল। সৰ্গদেৱৰ আদেশ হলে সেই শিয়ালটোকে

আনিবলৈ বিচাৰি যাব পাৰোঁ।" ৰজাই উত্তৰ দিলে, "বেছ কথা, বোপা, শিয়ালটোকে মোৰ ওচৰলৈ পাবা যদি মাতি লৈ আহাঁগৈ।"

ৰজাৰ ল'ৰাই এই কথা শুনি তেতিয়াই শিয়ালটো বিচাৰি তেওঁ অহা বাটে বাটে গ'ল। গৈ গৈ সেই আগৰ ঠাই পাই তেওঁ দেখিলে যে শিয়ালটো সেই-খিনিতে আগৰদৰেই ভেম জুৰি বহি আছে। ৰজাৰ ল'ৰাই ইকালৰপৰা আমন-জিমনকৈ খোজকাঢ়ি অহা দেখি শিয়ালে মাত লগালে,—"কি হেঁ ৰজাৰ পোৱালি! বোলোঁ এইবাৰ দেখোন সেনৰ এক জাত হে একা? ঘোঁৰা ডোখৰ গ'ল ক'লৈ?" শিয়ালৰ এই কথা শুনি ৰজাৰ ল'ৰাই ক'লে, "মোক ক্ষমা কৰিবা, মই তোমাক বৰ কেটেৰা মাত দি গৈছিলোঁ। মই বৰ বিপদত পৰিছোঁ; সেইদেখি হে তোমাৰ কাষলৈ আহিছোঁ। মোক বিপদৰপৰা উদ্ধাৰ কৰিব লাগে।" শিয়ালে ক'লে, "মোৰ খং নাই। তোমাৰ কি হ'ল কোৱাঁ?" পাছে ৰজাৰ ল'ৰাই ক'ত সোমাইছিলগৈ, কেনেকৈ পিৰিহঁতে তেওঁৰ ঘোঁৰা ৰাখিলে, আগৰপৰা শুৰিলৈকে সকলোবোৰ কথা ক'লত, শিয়ালে মন দি শুনি ক'লে, "তুমি এতিয়া যোৱাঁ। আজি মই নাযাওঁ, কাইলৈ মই ঠিক সময়ত সাক্ষী দিবলৈ যাম বুলি ৰজাক কোৱাঁগৈ।"

পিছদিনা আবেলি পৰত শিয়ালে এটা হোলাত নামি গাটো তিয়াই লৈ, আলিৰ কাষত পৰি ছাই এসোপাত লুটিবাগৰ দি গোটেইটো গাত ছাই সানি ৰজাৰ চ'ৰাত ওলালগৈ। ৰজাই শিয়ালক দেখি সুধিলে, "কি হে ডেকা ৰজা! আজি বোলোঁ নো তোমাৰ সভালৈ অহা পলম হ'ল কিয়?" শিয়ালে ক'লে, "স্বৰ্গদেও, আজি মোৰ দুখৰ কথা নো কি ক'ম? আজি সাগৰত জুই লাগি কি হৈছে!—গোটেইখন বাওলী হৈ পৰিছিল। ইমান পৰ মই জুই নুমাওঁতে হাইৰাণ হলোঁ। সেই হে মোৰ গাৰ এই অৱস্থা হ'ল আৰু অহাত পলম হ'ল।" শিয়ালৰ কথা শুনি ৰজাই ক'লে, "আমাৰ ডেকা-ৰজাই কেতিয়াবা কেতিয়াবা বৰ অসম্ভৱ কথাবোৰ কয়। ক'ৰবাত সাগৰত নো জুই লাগিব পাৰে নে?" শিয়ালে নাহেকৈ মাত লগাই ৰজাক সুধিলে, "স্বৰ্গ-দেও, পানীত যে জুই লাগিব নোৱাৰে, কাঠৰ ঢেকী-শালে নো কেনেকৈ ঘোঁৰা এটা জগাব পাৰে?" শিয়ালৰ মুখৰপৰা এই কথাষাৰ ওলোৱা মাত্রকে ৰজা-প্রজা সকলোৱে হাত চাপৰি মাৰি শিয়ালক শলাগিবলৈ ধৰিলে; আৰু তেতিয়াই ৰজাই ঘোঁৰাটো ৰজাৰ ল'ৰাক দি পঠিয়াই দিলে। ইয়াৰ পিছত শিয়ালেৰে সৈতে সখি ৰজাই ৰজাৰ ল'ৰা নিজ দেশলৈ গুচি গ'ল।

ষষ্ঠবিংশতি সাধু

লোভ-খকিয়া ৰজা

এজন চহকী বুঢ়াৰ কেইবাটাও পুতেক আছিল। ক্রমে বুঢ়াই আটাইকেইটাকে বিয়া কৰাই দিলে, মাথোন বাকী ৰ'ল নুমলীয়াটো। অনেক চাই-চিত্তি বুঢ়াই বিচাৰি-খোচাৰি শেহত এঘৰত এজনী লখিমী যেন ছোৱালী পাই নুমলীয়ালৈ তাইক বিয়া কৰাই আনিলে।

ছোৱালীজনী সঁচাকৈয়ে লখিমী আছিল। তাইক আনিবৰেপৰা বুঢ়াৰ ঘৰ আগতকৈও ধনে-ধানে ভৰি পৰিল, আৰু ঘৰত অপায়-অমঙ্গল নবীয়া-পৰীয়াও নাইকিয়া হ'ল। কিন্তু এই দেখি বুঢ়াৰ পুৰোহিত বামুণৰ মনত বৰ বেজাৰ। পুৰোহিতক লাগে বুঢ়াৰ ঘৰত মৰা-হজা, নবীয়া-পৰীয়া, অপায়-অমঙ্গল; তেহে তেওঁ শান্তিকৰম, তুলসী-দিয়া আদি কাজ-কাম পাতি দুপইচা বুঢ়াৰপৰা উলিয়াব পাৰে। তাৰে সুৰ মৰিল দেখি পুৰোহিত মহা চিন্তাত পৰিল, তেওঁৰ ৰাতি ভাবনাত টোপনি নহা হ'ল। তেওঁৰ ঘৰখনত ল'ৰা-ছোৱালী পো-পোৱালী এবোজা; বুঢ়াৰ ঘৰতে ওলমি কোনোমতে বামুণ প্রবর্ত্তি আছিল, এতিয়া তাৰে ভিকাচন ভাগিৰৰ আগন্তুক হৈছে দেখি বামুণৰ মনত মহা আতঙ্ক সোমাল। সেইদেখি পুৰোহিতে একোকে উপায় নাপাই এজন গণকৰ ঘৰলৈ গৈ নিজৰ দুখৰ কথা গণকক কৈ ৰূপ এটকা আৰু ভোজনী এটা দি, বুঢ়াৰ ঘৰত এনে হোৱাৰ কাৰণ কি গণি-পঢ়ি চাই উলিয়াবলৈ ক'লে। গণকে তেওঁৰ পুথি-পাঁজী মেলি ভালেখিনি পৰ গণি-পঢ়ি চাই পালে যে বুঢ়াৰ ঘৰত লক্ষ্মী সোমাইছে, সেইদেখি হে এনেকুৱা হৈছে, আৰু সেই লক্ষ্মীজনা হৈছে বুঢ়াৰ নুমলীয়া বোৱাৰীয়েক। গণকৰ কথা শুনি পুৰোহিত বাপুৱে সুধিলে,—"পিছে ইয়াৰ নো কি ব্যৱস্থা হব এতিয়া? মই দেখোন খিপাতে মৰিলোঁ। খাবলৈ নাপায়েই মই মৰিব দেখিছোঁ। ইয়াৰ এটা উপায় কৰি দিয়ক; নহলে ব্রাহ্মণ-বধ লাগিব। মই আৰু দুটকা ৰূপকে আপোনাক দিওঁ, আপুনি কেনেকৈ পাৰে মোক এটা বুধি দিয়ক। মই মোৰ এবাহ ল'ৰা-ছোৱালীৰে সৈতে বামুণীজনীক কৰোঁ কি?" বামুণৰ আতুৰ কথা শুনি গণকে বামুণক আশ্বাস দি কড়ি এমুঠি উলিয়াই লৈ মাৰি পঠিয়াই আকৌ ভালকৈ গণিবলৈ লাগিল। গণি গঁথাই গণকে ক'লে,—"পাইছোঁ, উপায় পাইছোঁ। তুমি থিৰ হোৱাঁ। তুমি যদি বুঢ়াৰ বাৰীৰ দক্ষিণ কাষৰ জলুকাবাঁহজোপাৰ এটা বাঁহ আনিব পাৰা তেনেহলে বুঢ়াৰ ঘৰত মানুহ মৰিব।" এই কথা শুনি পুৰো-

হিতে অলপ উশাহ পাই বুঢ়াৰ ঘৰলৈ গৈ বুঢ়াক সেই বাঁহজোপাৰ বাঁহ এটা খুজিলে, আৰু বুঢ়াইও তেওঁক তেতিয়াই বাঁহ এটা দিলে। কিন্তু এই কথা বুঢ়াৰ সৰু ছোৱালীয়েকে শুনিবলৈ পাই সেই বাঁহ-টোৰ পাত খাবৰ নিমিত্তে তেওঁলোকৰ কপিলী গৰু-জনী এৰি দিলে, আৰু গৰুজনীয়ে বাঁহপাত খাই ঘৰলৈ গুচি আহিল।

এইদৰে এমাহমান গ'ল, কিন্তু পুৰোহিত বামুণে আচৰিত মানিলে যে বুঢ়াৰ ঘৰত কাৰো নৰীয়াও নহ'ল আৰু কোনো নমৰিলও। মনৰ দুখ মনতে টোপোলা বান্ধি লৈ বামুণ আকৌ টুকুটুক্ কৰে গণকৰ ঘৰ ওলালগৈ। গণকে "কি হ'ল, কিয় আকৌ আহিলা?" বুলি বামুণক সুধিলত বামুণে হুমুনিয়াহ কাঢ়ি ক'লে—"এ, কিনো ক'ম, কি নো শুনিবা! আজি এমাহ হ'লহি, আপুনি কোৱাৰদৰে সেই বাঁহজোপাৰপৰা বাঁহ এটাও আনিলোঁ, কিন্তু ক'তা? কাৰো দেখোন একো নহ'ল? সিফালে খাবলৈ নাপাই মোৰ ঘৰত ল'ৰা-ছোৱালী মখাৰ হা-হা-কা-কা লাগিছে। মই কলৈ যাওঁ কৰোঁ কি?" এই কথা শুনি গণকে আচৰিত মানি আকৌ পুথি-পাঁজি মেলিলে। কিছু পৰ গণি-পঢ়ি চাই তেওঁ বামুণক ক'লে,—"অ'। এটা কথা হ'ল;—বাঁহটোৰ পাত কপিলী গৰু এজনীয়ে খালে; আৰু লক্ষ্মী সেই কপিলীৰ গাতে ৰ'ল। এতিয়া যদি তুমি গাইজনী বুঢ়াৰ ঘৰৰপৰা আনিব পাৰা তেনেহলে মোৰ কথা ফলিয়ায় নে নফলিয়ায় চাবা।" গণকে এই বুলি ক'লত পুৰোহিতে আকৌ বুঢ়াৰ আগত কলেগৈ যে "মোৰ এটা ল'ৰা উপজিছে; তাক গাখীৰ কিনি খুৱাবলৈ মোৰ শকতি নাই। আপুনি যদি আপোনালোকৰ আশ্ৰিত দুখীয়া বামুণক মৰম কৰি কপিলী গাইজনী দিয়ে, তেন্তে পবিত্ৰ ব্ৰাহ্মণ সন্তানে গাখীৰ খাই জীয়ে।" বামুণৰ কথা শুনি বুঢ়াই "বাৰু নিয়ক।" বুলি কপিলী গাইজনী তেতিয়াই দি দিলে। এই কথাটো সৰু ছোৱালীয়েকে শুনি-বলৈ পাই লৰালৰিকৈ গৰুজনীৰ চকুৰ লোৰে তেওঁৰ বিহাৰ আঁচলৰ দহিকটা এডাল ছিঁৰাই সেইডাল বিহাৰ আগতে বান্ধি থৈ দিলে।

এইবাৰো পুৰোহিত বামুণে গাইজনী লৈ গৈ মাহেক বাট চাই আছে, কিন্তু বুঢ়াৰ ঘৰত অপায়-অমঙ্গলৰ উমঘামেই নাই। তেওঁ এনে দেখি চল মুখ কৰি আকৌ গণকৰ কাষ পালেগৈ। গণকে আকৌ পুথি-পাঁজি মেলিলে, আকৌ খান এঘুৰি লৈ "মইতো কথা মৰম কথা" বুলি মনন চাবলৈ লাগিল। কিছুমান পৰ গণি-পঢ়ি গণকে মাত লগালে,—"অ'। এটা কথা হ'ল,—বুলি বুঢ়াৰ ঘৰৰপৰা গৰুজনী আনিলত নাৰ্দত বুঢ়াক মাত-

ছোৱালীয়েকে তাইৰ বিহাৰ দহিকটা এডাল ছিঁৰাই সেই গৰুজনীৰ চকুৰ লোৰে সেই দহিকটাডাল তিয়াই বিহাৰ আগত বান্ধি থ'লে, সেইদেখি লক্ষ্মী সেই বিহাখনতে ৰ'ল। এতিয়া যদি তুমি সেই বিহাখন আনিব পাৰা তেনেহলে তোমাৰ মনকাম সিদ্ধি হ'ব, নতুবা নহয়। এই কথা শুনি বামুণে আকৌ গৈ বুঢ়াক ক'লেগৈ যোলে "মোৰ ছোৱালীজনী সখাহলৈ যাবলৈ ওলাইছে; ভাল বিহা নাই দেখি আজি পুৱাৰেপৰা তাই উচুপি উচুপি কান্দিব লাগিছে; আপোনাৰ সৰু ছোৱালীয়েৰৰ গাৰ বিহাখন যদি দিয়ে তেন্তে বৰ উপকাৰ হয়, নহলে সেই আপদীয়া ছোৱালীয়ে আজি মোৰ মুণ্ডি হেকম্বাৰ। এই কথা শুনি তেতিয়াই বুঢ়াই সৰু ছোৱালীয়েকক কৈ তাইৰ গাৰ বিহাখন বামুণক দিয়ালে। সৰু ছোৱালীয়েকে বামুণৰ টেঙৰালি ভাগকৈ বুজিব পাৰি লৰালৰিকৈ সেই দহিকটাডাল খাই থৈ বিহাখন বামুণক দিলে।

এইদৰে আৰু এমাহ গ'ল তথাপি বুঢ়াৰ ঘৰত কোনো নমৰে, কাৰো নৰীয়া-পৰীয়া নহয়। বামুণ নিৰুপায়। এইবাৰ আৰু তেওঁৰ খং উঠিল। খঙত পকি-জলি আকৌ বামুণ লৰি গৈ গণকৰ ঘৰত ওলালগৈ। গণকক দেখিয়েই বামুণে জোক্ জোক্ কৰে খৰিলে, "বুজিছা নে খোলোঁ, তুমি খৰ মিছা কথা কোৱা। হেঁ। বাঁহ আনিবলৈ ক'লা বাঁহ আনিলোঁ, বিহা আনিবলৈ ক'লা বিহা আনিলোঁ, তথাপি দেখোন বুঢ়াৰ ঘৰত কাৰো মূৰৰ ছিগা চুলি এডালো সৰা নাই? কিবা তুমি পেংলাই কৰিছা নে কি? এনেবোৰ কথা ভাল নহয় খোলোঁ।" বামুণৰ কথা শুনি গণকো অবাক। কি কৰে? আকৌ পুথি-পাঁজি মেলি লৈ মাটিত আঁক পাতি গণিবলৈ লাগিল। গণি-পঢ়ি আঁজাই গণকে বামুণক ক'লে, "মিছাতে মোৰ ওপৰত খং কৰিছা। মই গণি-পঢ়ি ঠিক কথাকে কৈছিলোঁ। বুঢ়াৰ সেই ছোৱালীয়েকে বিহাখন তোমাক দিয়াৰ আগতে তাৰ আগত থোৱা দহিকটাডাল খাই পেলালে। এতিয়া যদি কিবা এটা যুক্তি কৰি তুমি তাইক মাৰিব পাৰা তেনেহলে হে তোমাৰ কাৰ্য্য সিদ্ধি হ'ব, নতুবা নহয় নিশ্চয় জানিবা। তুমি আৰু মোৰ ওচৰলৈ নাহিবা, মোৰ আৰু গণিব-পঢ়িবলৈ একো নাই।" গণকৰ এই উত্তৰ শুনি বামুণে মুখ ওলোমাই তাৰপৰা উঠি গুচি আহিল।

ইয়াৰ পিছত বামুণে অনেক ভাবিলে অনেক চিন্তিলে। বুঢ়াৰ ছোৱালীয়েকক মাৰিবলৈ একো এটা ভাল বুধি তেওঁৰ আৰু নোলায়। কিন্তু ভাবোঁতে ভাবোঁতে বামুণৰ পাকঘৰা মূৰৰপৰা অন্তত ওলাল এটা বুধি। বুধিটো ওলালতে বামুণে বুঢ়াক কলেগৈ "আজি ৰাতি মই এটা বৰ ভয়ানক সপোন দেখিলোঁ

সমাজিকটো যতবাৰ মোৰ মনত পৰিছে, ততবাৰ মোৰ বুকুত খুন্দা মাৰি ধৰিছে।" বুঢ়াই আত-ঘেতকৈ সুধিলে, "কিনো সমাজিক ক'বাচোন?" বামুণে ক'লে—"কবলৈ আৰু নাই। বৰ দুঃস্বপ্ন। বৰ বেয়া সপোন। পুৰ্ব্বতীয়া নিশা মোৰ মুৰশিতানতে বহি পকা-খেকেৰাটো যেন বুঢ়া মানুহ এজনে মোৰ মুৰত হাত দি ক'লে—"আজি বৰ কথা এটা, সময় থাকোঁতেই তোমাক কবলৈ আহিলোঁ,—তুমি যি ঘৰ ঘৰ চহকী মানুহৰ কুল-পুৰোহিত, সেইঘৰ মানুহৰ ঘৰত বৰ কুলক্ষণ এটা সোমালহি। তাৰ ফলত সেই মানুহঘৰ এতিয়া অতি শীঘ্ৰে উজাৰ হয়। সেই কুলক্ষণটো বুঢ়াৰ সৰুজনী বোৱাৰীয়েক। তাই বৰ কুলক্ষণী শাঁখিনী গজমুখীয়ানী তিকতা। তাই মানুহঘৰ খাবলৈহে আহিছে; সোনকালে তাইক নাতবালে এনেঘৰ মানুহ এতিয়া জয়-পাতে-ক্ষয় হব।" বুঢ়াই বামুণক সুধিলে, "তেখেতে নো ইয়াৰ এটা উপায় নিদিলে নে?" বামুণে-ক'লে, "এটা উপায় দিছে, যদি আপুনি কৰিব পাৰে। কিন্তু বৰ টান কাম।" বুঢ়াই ক'লে, "কৰিম, কোৱা।" বামুণে ক'লে—"তেওঁ ক'লে, যদি বুঢ়াই বোৱাৰীয়েকক কটাই পেলাব পাৰে, তেনেহলে ঘৰখন ৰক্ষা পৰিব, নহলে সৰ্ব্বনাশ।" এই কথা শুনি বুঢ়াই ভালেখিনি পৰ টলকা মাৰি থাকি, মনতে অনেক কথা গপি-গুণি মাত লগালে, "কি কৰিম, ঘৰখন ৰক্ষা কৰাটোৱেই হে মোৰ উচিত। এটাৰ লগতে ঘৰে-ঘৰোৱাহ যোৱাটো উচিত নহয়। ঘৰে-ঘৰোৱাহৰ ৰক্ষাৰ নিমিত্তে লাগিলে এটা যোৱাটোৱেই ভাল।" এইবুলি বুঢ়াই পুতেকহঁতক মতাই আনি পুৰোহিত বামুণে দেখা সপোনৰ কথা ক'লে। বাপেকৰ কথা শুনি পুতেক-হঁতেও অনেক ভাবি-চিন্তি সৰু বোৱাৰীয়েকক কটাই ঘৰখন ৰক্ষা কৰাটোকেই থিৰ কৰিলে; আৰু সেই কামৰ ভাৰ সিহঁতে সৰু বোৱাৰীয়েকৰ গিৰিয়েক সৰু ভায়েকৰ হাততে দিলে। বুঢ়াৰ সৰু পুতেকটো বৰ যোজা আৰু বাপেক আৰু ককায়েকহঁতৰ বাধ্য আছিল। সেইদেখি সি আপোন হাতেৰে ঘৈণীয়েকক কাটিবলৈ মান্তি হ'ল।

বুঢ়াৰ সৰু পুতেকে ঘৈণীয়েকক কাটিবলৈ, তাই নেদেখাকৈ দিনতে দা এখন ধৰাই শোৱাপাটীৰ গাৰুৰ তলতে থৈ দিলে। ৰাতি খাইবৈ গিৰিয়েক-ঘৈণীয়েক পাটীত শুলে। ঘৈণীয়েকৰ টোপনি আহিল। গিৰিয়েকে ৰাতি দুপৰত উঠি লাহেকৈ গাৰুৰ তলৰপৰা দাখন উলিয়াই লৈ ঘৈণীয়েকৰ ডিঙিত কোৰ মাৰি দিব খোজোঁতেই, শোৱনি-ঘৰটোৱে মাত লগালে—"হে হে নাকাটিবা। হে হে নাকাটিবা। হে হে নাকাটিবা।" তিনিবাৰ ঘৰটোৱে এইদৰে মাতিলত গিৰিয়েকে আচৰিত হৈ ঘৈণীয়েকক নাকাটি, দাখন গাৰুৰ তলতে আকৌ সুমাই থৈ শুই থাকিল।

ৰাতি তিনি পৰ মানত আকৌ তাৰ টোপনি ভাগিল। সি আকৌ লাহেকৈ উঠি দাখন লৈ টোপনিত লালকাল ঘৈণীয়েকৰ ডিঙিত কোৰ্ মাৰিবলৈ দাঙিলে, এনেতে ওচৰতে জলি থকা চাকিটোৱে মাত লগালে—"হেৰ নাকাটিবি। নাকাটিবি। নাকাটিবি।" এইবাৰ ঘৈণীয়েকে সাৰ পাই চকু মেলিলে। তাই দেখিলে, গিৰিয়েকৰ হাতত চোকা কপি-দাখন জিলিকি আছে। "কি কৰা? কি কৰা?" বুলি তাই ধপ্‌কৰে শোৱাপাটীৰপৰা উঠি গিৰিয়েকৰ হাতত ধৰিলে। গিৰিয়েকে উত্তৰ দিলে—"তোক কাটিবলৈ ধৰিছিলোঁ। দুবাৰ। প্ৰথমবাৰ ঘৰটোৱে হাক দিলত হে থমকি ৰলোঁ।" ঘৈণীয়েকে সুধিলে, "মই নো তোমাৰ চৰণত কি অপৰাধ কৰিলোঁ যে তুমি কাটিব খুজিছা?" গিৰিয়েকে উত্তৰ দিলে, "একো অপৰাধ কৰা নাই, কিন্তু বোপাই আৰু ককাইহঁতে তোক কাটিবলৈ মোক হুকুম দিয়া বাবে হে কাটিব খুজিছিলোঁ।" ইয়াৰ পিছত ঘৈণীয়েকে গিৰিয়েকৰ হাতৰপৰা দাখন কাঢ়ি নি তাক সুধি সকলো কথা জানি লৈ ক'লে, "আপুনি মোক নাকাটিব। মই নিৰ্দ্দোষী। মই কেতিয়াও কুলক্ষণী নহওঁ। পুৰোহিত বামুণৰ উপাৰ্জ্জনৰ বাটত মই কাঁইট হৈছোঁ, দেখি সি চক্ৰান্ত কৰি মিছাকৈয়ে মোৰ শহুৰ আৰু জেঠালহঁতক এইদৰে বুজাই মোক বধি তাৰ বাট মোকোলাই লবলৈ চেষ্টা কৰিছে। আপুনিও আচল কথাটো নুবুজি হে এনে অন্যায় কামটো কৰি পপীয়া হবলৈ গৈছিল। মোক কাটিব নালাগে; আহক আমি এই ঘৰৰপৰা এতিয়াই ওলাই গুচি যাওঁগৈহঁক। তেওঁলোকে সুখেৰে খাইমেলি থাওক।" ঘৈণীয়েকৰ কথাত গিৰিয়েক মান্তি হ'লত, তেতিয়াই দুয়ো সেই ঘৰৰপৰা ওলাই গুচি গ'ল। ঘৈণীয়েকে লগত এজাল জৰী আৰু এখন জালৰ বাহিৰে আন একো লোৱা নাছিল।

গিৰিয়েক-ঘৈণীয়েক দুয়ো গৈ এখন আটব্য অৰণ্যত সোমালগৈ। গোটেই দিনটো ফুৰি ফুৰি দুইকো বৰ ভাগৰ লাগিছিল। ঘৈণীয়েক সগৰ্ভা আছিল, সেইদেখি তাই এজোপা গছৰ তলত বহিলগৈ। ঈশ্বৰৰ ইচ্ছাত তাইৰ তেতিয়াই তাতে প্ৰসৱ-বেদনা হ'ল আৰু তাই এটি ল'ৰা প্ৰসৱ কৰিলে। লৰাটি প্ৰসৱ হোৱাৰ পিছত তাইৰ বৰকৈ পিয়াহ লাগিল। তাই গিৰিয়েকক ক'লে, "মোৰ অতি-কণ্ঠ শুকাই গৈছে, মোক পানী এটোপা আনি দিয়হ।" গিৰিয়েকে তাৰত পানী বিচাৰি সাতাই

এজোপা গছত উঠি চাৰিওফালে চাই দেখিলে যে বহুত দূৰৈত এখন বিল আছে। বিলখন দেখিবলৈ পাই সি মৈনাৰেকক ক'লে, "সৌফালে দূৰৈত এখন বিল দেখিবলৈ পাইছোঁ; যাওঁ তাৰপৰা পানী লৈ আহোঁগৈ।" এইবুলি সি মৈনাৰেকক তাতে এৰি পানী আনিবলৈ গ'ল। কিছুমান বেলিৰ মূৰত সি বিলখন পাই দেখিলে যে তাতে এটা তিনি ঠোঁটীয়া চৰাই আছে। সেই চৰাইটোৱে তাক দেখি ক'লে,—"তিনি ঠোঁটেৰে মাছ খাওঁ, কিৰূপে জীওঁ?" চৰাইটোৰ এই কথা শুনি সেই মানুহ-টোৱে ভাবিলে যে ই এটা প্ৰাণীয়ে যদি তিনি ঠোঁটেৰে মাছ খাইও জীব নোৱাৰে তেনেহলে আমি আজি দুটাৰ ঠাইত আকৌ তিনটা হলোঁ, আমি নো তিনিটা প্ৰাণী কেনেকৈ জীম? ইয়াকে ভাবি সি আৰু তাৰপৰা উভতি নাহি সেই পিনেই গুচি গ'ল। গৈ এখন দেশ পাই সি এক বামুণৰ ঘৰত হালোৱা হৈ ৰ'লগৈ।

ইফালে মৈনাৰেকে গাৰ বিচেটাত গছৰ তলত পানী পানী কৰি গিৰিয়েৰকলৈ বাট চাই আমনি লাগি, গিৰিয়েৰ বহুত পৰলৈও উভতি নহা দেখি, কেচুৱা কোলাত লৈ নিজেই লাহে লাহে গিৰিয়েৰকে যোৱা বাটেদি যাবলৈ ধৰিলে। গৈ সেই বিলখন পাই দেখিলে যে তাত তিনি ঠোঁটীয়া চৰাই এটা আছে। তাইক চৰাইটোৱে দেখা মাত্ৰকতে মাত লগালে—"তিনি ঠোঁটেৰে মাছ খাওঁ, কিৰূপে জীওঁ?" এইবুলি তিনিবাৰ চৰাইটোৱে মাতিলত সেই কথা শুনি মৈনাৰেকে বুজিলে যে তাইৰ অভগা গিৰিয়েকে এই চৰাইটোৰ এনেকুৱা কথা শুনি হে তিনিটা প্ৰাণী পুহিবৰ ভয়ত কৰবালৈ গুচি গ'ল। ইয়াকে ভাবি তাই শোক কৰি, সেই বিলৰে চলুচেৰেক পানী খাই, তাতে পা পা দুই অলপ জিৰাই শাঁতাই লৈ তাইৰ লগত থকা জালখনেৰে সেই চৰাইটো ধৰি লৈ লাহে লাহে তাৰপৰা গুচি গ'ল। তাই দুখে কষ্টে গৈ গৈ এক ৰজাৰ মালিনীৰ ঘৰ পালেগৈ। মালিনীয়ে তাইৰ দুখ পতিয়াই নিৰাশ্ৰয়ক আশ্ৰয় দি তাইক নিজৰ ঘৰতে মৰম বেথা কৰি ৰাখিলে।

একদিনাপ্ৰতি ল'ৰাৰ মাকে মালিনীক ক'লে, "আই মই কিমান নো তোমাৰ ঘৰত বহি বহি খাম? আজিৰপৰা মই নগৰত ঘূৰি মাগিয়েই চাউল একো মুঠি আনিমগৈ।" এইবুলি তাই মাগিবলৈ ওলাই গ'ল। তাইৰ ল'ৰাটো তেতিয়া বহিবপৰা হৈছিল। সেইদেখি তাই ল'ৰাটোক মালিনীৰ ওচৰত বহুৱাই থৈ, মালিনীক কৈ গ'ল—"আই, মোৰ ল'ৰাটো চাবা।" মাক গ'লত, ল'ৰাটোৱে হাতেৰে খুচৰি খুচৰি মাটি খাবলৈ ধৰিলে। এনেতে ল'ৰাটোৰ কাষত মালিনীৰ এবাৰ চকু পৰিলত মালিনীয়ে দেখিলে যে সি যিখোৰ মাটি খুচৰি উদুলিয়াই দিছে সেইখোৰ একোচেকুৱা সোণ হৈ ওলাইছে। মালিনীয়ে এই কথা দেখি আচৰিত হ'ল। তাই ভাবিলে "এইটো তো বঢ়িয়া কথা,—ল'ৰাটো যদি সদায় মই মোৰ লগত ৰাখি থওঁ তেন্তে মই সদায় এইদৰে তাৰপৰা সোণ পাম। তাৰ মাক আজি আছে, কাইলৈ নাই; এতেকে ল'ৰাটো ৰাখি থব লাগিব।" ইয়াকে ভাবি মালিনীয়ে ল'ৰাটোক কোলাত লৈ বৰকৈ মৰম কৰি গুড় চেলেকাবলৈ ধৰিলে। গুড় চেলেকিবলৈ পাই ল'ৰাটোৱে মালিনীৰ কোলাৰপৰা নলৰা হ'ল। এনেতে ল'ৰাটোৰ মাক ওলালহি। মাকে ল'ৰাটোক মালিনীৰ কোলাৰপৰা লবলৈ হাত মেলিলত সি মাকৰ কোলালৈ নহাই হ'ল। কোনোমতেই মাকে ল'ৰাটো মালিনীৰ কোলাৰপৰা আনিব নোৱাৰিলে; আৰু মালিনীয়ে তেনে হোৱা দেখি চল পাই তাৰ মাকক ডুহ ডহীয়াকৈ ক'লে যে "এইটো মোৰ হে ল'ৰা, তোৰ নহয়।" ল'ৰাটোৰ নিমিত্তে লাহে লাহে মালিনীৰ আৰু ল'ৰাৰ মাকৰ মাজত বৰ দন্দ লাগিল,—মালিনীয়ে বোলে সেইটো তাইৰ নিজৰ ল'ৰা আৰু ল'ৰাৰ আচল মাকে বোলে তাইৰ হে ল'ৰা। শেহত ল'ৰাৰ মাক নিৰু-পায় হৈ সেই দেশৰ ৰজাৰ ওচৰ পালেগৈ আৰু তাই ৰজাৰ আগত মালিনীৰ ওপৰত গোচৰ কৰিলে। ৰজাই পাত্ৰ-মন্ত্ৰী সভাসদসকলেৰে সৈতে ধৰ্ম-চ'ৰাত বহি গোচৰ শুনি একোকে ঠিক কৰিব নোৱাৰি বিমোৰত পৰিল। অন্তত মন্ত্ৰীয়ে ক'লে, "সৰ্গদেউ, এটা কাম কৰা যাওক,—দুইজনী তিৰুতাৰ বুকুত সাত জাপকৈ কাপোৰ বান্ধি দিয়া হওক। ল'ৰাটো সিহঁতৰ আগতে বহুৱাই দিয়া হওক। ল'ৰাটো দেখি দুইজনীৰ ভিতৰত যি জনীৰে পিয়াহ ওলাব সেইজনীয়েই তাৰ আচল মাক।" মন্ত্ৰীৰ কথামতে কৰা হ'লত দেখা গ'ল যে ল'ৰাটোৰ আচল মাকৰ পিয়াহ ওলাই তাইৰ বুকুৰ সাত তৰপ কাপোৰ তিতি গৈছে, আৰু মালিনীৰ কাপোৰ শুকান। ইয়াকে দেখি ৰজাই তেতিয়াই আচল মাকক ল'ৰাটো দি দিলে। মাকে হেৰোৱা মাণিক পুতেকক পাই ৰজাক আশীৰ্বাদ দি গুচি গ'ল, আৰু সেই নগৰতে এঘৰ মানুহৰ ঘৰত আশ্ৰয় লৈ থাকিলগৈ।

এইদৰে কিছুকাল যোৱাৰ পিছত, সেই নগৰৰ ৰজা ঢুকাল। ৰজাৰ ল'ৰা নাছিল; সেইদেখি পাত্ৰ-মন্ত্ৰীসকলে ৰজা পাতিবলৈ ৰজাৰ যোগ্য সুলক্ষণীয়া ল'ৰা এটা বিচাৰিবলৈ ধৰি সেই ল'ৰাটোকে তেনে বেশ দেখি আনি সিংহাসনত বহুৱাই ৰজা পাতি সেৱা কৰিলে; আৰু মাককো দি ৰাজঘৰত থলে। ল'ৰাটোৰ নাম সোণ-খনিৰ ৰজা হ'ল।

একদিনাপ্ৰতি সোণ-খনিৰ ৰজাই মাকক সুধিলে, "আই, মোৰ নো বোপাই নাই নে?" মাকে উত্তৰ

দিলে, "আছিল, কিন্তু তেওঁ কলৈ গ'ল কব নোৱাৰেঁ।" এইবুলি মাকে পুতেকৰ আগত তেওঁলোকৰ আগৰপৰা শুনিলেকে সকলো বৃত্তান্ত ক'লে। মাকে সোণ-ৰবিৰ ৰজাক ক'লে, "তুমি এটা পুখুৰী খনাওঁ বুলি ৰাজ্যত জাননী দি কোৱা। যে—যি পুখুৰী খানিবলৈ আহিব, মানুহটোৱে পতি ।।০ অনাকৈ পইচা আৰু এৰহাকৈ সোণ দিয়া যাব।" ৰাজমাওৰ কথামতে সোণ-ৰবিৰ ৰজাই জাননী দিলত অনেক পুখুৰী খানিবলৈ আহিল। ৰজাৰ মাকে পুখুৰীৰ পাৰতে সেই তিনি-ঠেঁটীয়া চৰাইটো ৰজাই থৈ কোটোৱালক ক'লে, "যি এই চৰাইটোৰ মাত শুনি কোবৰ নালত মূৰ থৈ বেজাৰ কৰিব তাকে মোৰ ওচৰলৈ ধৰি লৈ আহিবি।"

যি বামুণৰ ঘৰত সোণ-ৰবিৰৰ বাপেকে হালোৱা হৈ আছিল সেই বামুণে, ৰজাই পুখুৰীখনোৱা আৰু খানিবলৈ গলে পইচা আৰু সোণ দিয়া কথা শুনি তেওঁৰ হালোৱাটোকো পুখুৰী খানিবলৈ পঠিয়াই দিলে। সেই হালোৱাই পুখুৰী খানিবলৈ আহি তাতে সেই তিনি-ঠেঁটীয়া চৰাইটো দেখি আৰু তাৰ মাত শুনি তাৰ আগৰ কথা মনত পৰি কোবৰ নালত মূৰ দি বেজাৰ কৰিবলৈ ধৰিলত, ৰজাৰ কোটোৱালে তাক ধৰি আনি ৰাজমাওৰ আগত দিলেহি। ৰজাৰ মাকে তাক দেখিয়েই চিনি পাই তাক ভিতৰলৈ নি ভাত-পানী খুৱাই নিজৰ চিনাকি দি সকলো কথা কলত, সি আনন্দতে কান্দি পেলালে। ৰজাৰ মাকে তেতিয়া গিৰিয়েকক ক'লে, "মোক কুলক্ষণী বুলি কাটিবলৈ তোমাক লগাই দিয়াসকলৰ এতিয়া বিচাৰ লোৱা।"

ইয়াৰ পিছত সোণ-ৰবিৰ উঠি-ৰজা হৈ বাপেকক তেওঁ বহি-ৰজা পাতিলে; আৰু আগৰ ঘৰত মানুহৰ বিচাৰ-খোচাৰ কৰি ইয়াকে পালে, যে সকলো ধ্বংস হৈ মৰি হাজি চুকাল,—মাত্ৰ ককায়েক এটা আছে। বাপেকৰ ককায়েকক সোণ-ৰবিয়ে অনাই নিজৰ লগতে ভালকৈ ৰাখিলে আৰু সেই পুৰোহিত বামুণ আৰু গণকক ধৰাই আনি শূলত দিয়ালে।

সপ্তবিংশতি সাধু

ঘেটুকোঁৱৰ

এজন ৰজা আছিল। তেওঁৰ সাতজনী কুঁৱৰী। কাৰো ল'ৰা-ছোৱালী নোহোৱা দেখি ৰজাৰ মনত বৰ বেজাৰ। ৰজাই অনেক পূজা-পাতল অনেক দান-দক্ষিণা কৰিলে, তথাপি তেওঁৰ ল'ৰা-ছোৱালী একোকে নহ'ল।

এদিন ৰজাই সমাজিক দেখিলে যে তেওঁক এজন বুঢ়া মানুহে কৈছে যে "তুমি কাইলৈ পুৱাই নৈত স্নান কৰি তিতা তিয়নিৰে সাতবাৰ ক্ৰমঃ ক্ৰমঃ বুলি মাতিলে তোমাৰ হাতত বজ্ৰা টেৰা এটা পৰিবহি। সেই টেৰাটোৰ ভিতৰত এটা গোলাপ জামু থাকিব। সেই জামুটো আনি তুমি তোমাৰ সাতোজনী তিৰুতাক খাবলৈ দিবা; তেওঁলোকে খালেই তেওঁলোকৰ ল'ৰা হব।" ৰজাই সাৰ পাই উঠি পিছদিনা ৰাতি-পুৱাই সেইদৰে নৈত গা ধুই সাতবাৰ ক্ৰমঃ ক্ৰমঃ কৰিলত বজ্ৰা টেৰা এটা তেওঁৰ হাতত পৰিলহি। আৰু সেই টেৰাটো মেলি তাত জামু এটা পাই আনি সাতোজনী ঘৈণীয়েকক তেওঁ খাবলৈ দিলে। কুঁৱৰী-হঁতে জামুটো খাবলৈ গা ধুবলৈ গ'ল, আৰু গা ধুই আহি ভগাই খালেহি; কিন্তু সৰুজনী অহাত পলম হোৱা বাবে তাইলৈ নথলে। সৰু কুঁৱৰীজনীক আন কেইজনী কুঁৱৰীয়ে আগৰেপৰা দেখিব নোৱাৰিছিল আৰু ৰজাৰো তাই এলাগী আছিল; সেইদেখি আন কেইজনীয়ে তাই অহাত অলপ পলম হলতে তাকে চেলু লৈ তাইলৈ জামুৰ ভাগ নথলে। সৰু-জনীয়ে গা ধুই আহি আন কেইজনীক জামুৰ ভাগ খুজিলত, সিহঁতে তাইক জোকোৰা মাৰি ক'লে, "তোলৈ আমি জামু লৈ বহি থাকিম নে কি? আগেয়ে নাহিলি কেলৈ? এই কথা শুনি সৰুজনীয়ে চকুৰ পানী উলিয়াই, ওচৰতে পৰি থকা জামুৰ বেচুটোকে খালে।

সময়ত এটাইকেইজনী কুঁৱৰীৰ একোটাকৈ ল'ৰা হ'ল। ল'ৰা কেইটা লাহে লাহে ডাঙৰ হৈ আহিল। এদিন এটা ফকিৰ কৰবাৰপৰা আহি ৰজাক ক'লে, "স্বৰ্গদেউ, আপোনাৰ ঘৰ দেখি বৰ সন্তোষ পালোঁ, কিন্তু এটা বস্তু আপোনাৰ ঘৰত নাই দেখি দুখ পালোঁ। আপোনাৰ ঘৰত—

সোণৰ গছ, ৰূপৰ পাত।
সাত টিলিকিত ম'ৰাৰ নাচ।।

নাই। এনেকুৱা গছ এজুপি নথকাৰ বাবে আপোনাৰ ঘৰ সম্পূৰ্ণ হোৱা নাই।" এই কথা শুনি ৰজাই তেতিয়াই কোঁৱৰহঁতক মাতি আনি তেনেকুৱা গছ এজোপা বিচাৰি আনিবলৈ পঠিয়াই দিলে। ৰজাৰ ল'ৰাহঁতে মাতুলি লৈ ঘোৰা-জোৰাৰ সজুলি তৰা দি বাবধে ওলাইছে, এনেতে এলাগী কুঁৱৰীৰ পুতেক ঘেটু-কোঁৱৰে আহি ককায়েকহঁতক ক'লে, "ককাইহঁত, মোকো লগতে নে।" ঘেটু-কোঁৱৰে লগত যাবলৈ বৰকৈ কাকুতি-মিনতি কৰিবলৈ ধৰিলত ককায়েকহঁতে তাকো মাৰৰ চৰঠতে পৰি থাকিবি বুলি ভুলি লৈ গ'ল।

[illegible] এজোপা পালেগৈ। [illegible] হৈ

পকি আছে। সেই আম গছৰ তলতে সিহঁতে নাও বান্ধি আম খাই ইফাল-সিফালকৈ থাকোঁতে, বেটু-কোৱঁৰে আমগছৰ গুৰিত এটা ডাঙৰ গাঁত দেখিলে। সি গাঁতটো দেখি তাত কি আছে চাবৰ মন কৰি ককায়েকহঁতক ক'লে, "মই এই গাঁতটোত সোমাই নামি যাওঁ, ইয়াত কি আছে চাওঁগৈ। তহঁতে মই নাহোঁ মানে নাও নেমেলিবিহঁক দেই।" এই বুলি কৈ সি লেজু এডাল গাঁতটোত এৰি দি লাহে লাহে তাতে ধৰি গাঁতৰ তললৈ নামি গ'ল। গৈ গৈ অন্তত সি এখন বৰ নগৰ পালেগৈ। নগৰখনত সি মানুহ-দুনুহ একো নেদেখিলে; মাত্ৰ কিছুমান হাড়-মূৰ চাৰিওফালে পৰি থকা দেখিলে। সি ভয়ে ভয়ে গৈ দেখিবলৈ ভাল ডাঙৰ ঘৰ এটাত সোমালগৈ, আৰু ঘৰটোৰ ভিতৰত এখন ছালপীৰাৰ ওপৰত এজনী সুন্দৰী কন্যা অকলৈ শুই থকা দেখিলে। ছোৱালী-জনীৰ ভৰিৰ ফালে এটা বগা চোৱঁৰ আৰু মূৰ-শিতানৰ ফালে এটা ক'লা চোৱঁৰ আছিল। ক'লা চোৱঁৰটোৰে ছোৱালীজনীক বিচিলত তাইৰ নাক-কাণৰপৰা তেজ ওলাল। তাকে দেখি সি ভয় খাই ভৰিপিঠানৰ ফালৰ চোৱঁৰটোৰে বিচি দিলে। সেই-টোৰে বিচিলত ছোৱালীজনীয়ে উস্ উস্কৈ পাটীৰ-পৰা উঠি বহিল।

কন্যাজনীয়ে বেটু-কোৱঁৰক দেখি আচৰিত হৈ সুধিলে, "তুমি কোন?" কোৱঁৰে তাৰ বিষয়ে সকলো কথা তাইক ভাঙি ক'লত তাই ক'লে, "তুমি এতিয়াই যোৱাঁ, নহলে তোমাক ৰাক্ষসে খাব। এইখন ৰাক্ষসৰ দেশ। আজি তিন দিন হৈছে, ৰাক্ষসে এই নগৰৰ মানুহ এটাইবোৰ খালে। কেৱল মোক হে সিহঁতে নোখোৱাকৈ এৰিছে। সিহঁত এতিয়া চৰিবলৈ গৈছে। মোক সিহঁতে যাবৰ সময়ত এটা চোৱঁৰেৰে বিচি মাৰি থৈ যায়, আৰু উভতি আহি এটা চোৱঁৰেৰে বিচি জীয়ায়।" কোৱঁৰে-ক'লে, "এতিয়া, তেন্তে কি হব? সিহঁত আহি ওলায়হি বদি?" কন্যাই ক'লে, "হওঁতে সিহঁত আহিবৰ হৈছে; তুমি সেই সৰিয়হৰ ডুলিটোৰ ভিতৰতে সোমাই থাকা।" এই কথা শুনি কোঁৱৰ গৈ সৰিয়হৰ ডুলিৰ ভিতৰত সোমাই থাকিল। যোৱাৰ আগেয়ে কোৱঁৰে ক'লা চোৱঁৰেৰে বিচি ছোৱালীজনী মাৰি থৈ গ'ল। এনেতে ৰাক্ষসবোৰ ওলালহি। সিহঁতে ছোৱালীজনীক বগা চোৱঁৰেৰে বিচি জীয়াই লৈ সুধিলে, "মানুহৰ গোন্ধ পাইছোঁ যে কোন একা?" তাই ক'লে, "ময়েই হে মানুহ ইয়াত আছোঁ, মোৰেই গোন্ধ পাইছহঁক। লাগে যদি মোকে মাৰি খা।" "তোক নামাৰি ৰাখিছোঁ, কিয় খাম?" বুলি ৰাক্ষসে ক'লে।

কোৱঁৰে ৰাতিটো কষ্টেমষ্টে সৰিয়হৰ ডুলিতে কটাই পিছদিনা ৰাতিপুৱাই ৰাক্ষসবোৰ চৰিবলৈ গ'লত তাৰপৰা ওলাই আহি ছোৱালীজনীক জীয়াই লৈ ক'লে, "মই তোমাক ৰাক্ষসৰ হাতৰপৰা সকাই নিম বুলি ভাবিছোঁ। ইহঁতক কেনেকৈ মাৰিব পাৰি তুমি কব পাৰা নে?" কন্যাই "নোৱাৰোঁ" বুলি ক'লে। কোঁৱৰে ক'লে, "আজিও মই সৰিয়হৰ ডুলিতে সোমাই থাকোঁ, সিহঁত আহিলে তুমি এটা বুধি উলিয়াই পাৰা যদি সেইটো সুধি জানি লোৱাঁ।" কন্যা এই কথাত মান্তি হ'ল। সেইদিনা গধূলি ৰাক্ষসবোৰ আহি সিহঁতে তাইক জীয়ালতে তাই কান্দিবলৈ ধৰিলে। সিহঁতে "কিয় কান্দিছ"? বুলি সুধিলত তাই ক'লে, "মোৰ বৰ মনত দুখ লাগিছে। মোৰ আই-বোপাই সিতিৰ-কুটুম কোনোৱেই নাই। এতিয়া তোমালোকেই মোৰ আপোন হৈছা। এতেকে তোমালোকৰ খাধে মোৰ মনত চিন্তা হয়, যদি তোমা-লোকক কোনোবাই কৰবাত মাৰে, তেন্তে মোৰ গতি কি হব?" ৰাক্ষসহঁতে তাইক আশ্বাস দি ক'লে, "তই একো চিন্তা নকৰিবি, আমাক কোনেও মাৰিব নোৱাৰে। আমাৰ জীৱটো সৌ পুখুৰীটোৰ মাজৰ পানীৰ তলত এটা টেমাৰ ভিতৰত ভোমোৰা হৈ আছে। কোনোবাই যদি গৈ পুখুৰীত নামি সাতবাৰ তম: তম: বুলি মাতে তেনেহলে হে সি টেমাটোৰ ভিতৰৰপৰা ওলাই আহিব। আৰু তেতিয়া যদি ভোমোৰাটো কোনোবাই একেকোবেই কাটি তাৰ তেজ চৰু এটাত ধৰিব পাৰে তেহে আমি মৰিমহঁক।"

পিছদিনা পুৱাই ৰাক্ষসবোৰ চৰিবলৈ গ'লত বেটু-কোৱঁৰে ডুলিৰপৰা ওলাই কন্যাজনীক জীয়ালত, ৰাক্ষসবোৰক কেনেকৈ মাৰিব পাৰি সেই কথা কন্যাই কোৱঁৰক ক'লে। তেতিয়াই কোঁৱৰে হাতত তৰো-ৱাল এখন আৰু চৰু এটা লৈ পুখুৰীত নামিলগৈ, আৰু সাতবাৰ তম: তম: বুলি মাতিলত ভোমোৰাটো ওলাই আহিল। ভোমোৰাটো কোঁৱৰে তৰোৱালেৰে একে কোবেই কাটি তাৰ তেজ চৰুত ধৰিলতে, ইপিনে গিৰিং গিৰিং শব্দ হবলৈ ধৰিলে। ৰাক্ষস-বোৰ যেয়ে য'তে আছিল ত'তে পৰি পৰি মৰিল। কোৱঁৰে পুখুৰীৰপৰা উঠি কন্যাৰ ওচৰ পালেহি। কন্যাৰ মহা আনন্দ।

ইয়াৰ পিছত কোৱঁৰে কন্যাক সোণৰ গছ, ৰূপৰ পাত, সাত টিলিকিত ম'ৰাৰ নাচ' এনেকুৱা গছ ক'ত আছে বুলি সুধিলত কন্যাই কোৱঁৰক সেই গছ দেখুৱাই দিলে; আৰু দুটা পুখুৰী দেখুৱাই দিলে, এটাৰ পানী কাৰবাক খুৱাই দিলে খাওঁতাজন এটা হালধীয়া চৰাই হৈ উৰি ঘৰৰ চাটিৰ ওপৰত উঠি বহি থাকেগৈ; আইনটোৰ পানী খুৱালে আকৌ মানুহ

হয়। এইবোৰ বস্তুৰে সৈতে কন্যাজনীক কোৰঁৰে পেৰা এটাৰ ভিতৰত সুমাই ললে। তাৰ পিছত সি নেজুডাল ধৰি ধৰি গাঁতত উঠি আহি আৰতল ওলালহি। এনেতে সি দেখিলে যে তাৰ পেৰাটো সি পাহৰি এৰি আহিল। সেইদেখি সি ককায়েকহঁতক নাও নেমেলিবলৈ কৈ আকৌ গাঁতেদি নামি পেৰাটো আনিবলৈ গ'ল। ইফালে ককায়েকহঁতে নাও মেলি দিলে।

কোৰঁৰে পেৰাটো লৈ আহি দেখিলে যে নাও নাই। সি মহা বিপাঙত পৰি পেৰাটো লৈ আকৌ গাঁতেদি নামি গ'ল। গৈ দেখে, এঠাইত এটা গৰুণ্ডই মৰা ৰাক্ষস এটা খাই আছে। কোৰঁৰে গৰুণ্ডৰ ওচৰ চাপি নিজৰ বিপদৰ কথা গৰুণ্ডক কৈ খাটিলে যে পেৰাটোৰে সৈতে যেন গৰুণ্ডই তাক কান্ধত তুলি তাৰ বাপেকৰ ৰাজ্যত থৈ আহে। সি অনেক কাকুতি-মিনতি কৰাত গৰুণ্ডই মান্তি হৈ ক'লে, "ৰ এখোন, মোৰ ভোক গুচা নাই, এনেকুৱা আৰু একুৰি ৰাক্ষস খাই লওঁ।"

একুৰি ৰাক্ষস খাই গৰুণ্ডই বেটু-কোৰঁৰক পেৰাটোৰে সৈতে কান্ধত লৈ ৰজাৰ নগৰত থৈ গ'ল। ৰজাৰ নগৰত মহা হুলস্থুল। দা-ডাঙৰীয়া লা-লগুৱাকে আদি কৰি সকলো ৰজাৰ ৰবচ'ৰাত চাপিলহি, ৰজাৰ কোৰঁৰহঁতে কি আনিছে চাবলৈ। বেটু-কোৰঁৰ পেৰাটোৰ সৈতে চ'ৰাৰ এচুকত বহি আছে। ৰজাই পুতেকহঁতক মাতি আনি সিহঁতে কি আনিছে সুধিলত, সিহঁতে একো দেখুৱাব নোৱাৰিলে। তাৰ পিছত ৰজাই বেটু-কোৰঁৰক সুধিলত বেটু-কোৰঁৰে পেৰা মেলি সেই সোণৰ গছ, কন্যাজনী আৰু আন বস্তু দেখুৱালে। ৰজাই বৰ সন্তোষ পাই বেটু-কোৰঁৰক উঠি-ৰজা পাতি নিজে বহি-ৰজা হ'ল; আৰু ই কেইটা কোৰঁৰক খেদাই দিলে।

অষ্টাবিংশতি সাধু

ছয় সখিয়েক, এক ৰাক্ষসী

এখন নগৰত পাঁচোটা ডেকা-লৰাই সিহঁতৰ বাপেকহঁতৰে সৈতে দন্দ কৰি ঘৰত নাথাকোঁ বুলি দেশ ভ্ৰমণ কৰিবলৈ ওলাল। সিহঁতৰে সৈতে সেই দেশৰ এলাগী ৰাণীৰ ল'ৰা এটাও ওলাল। এলাগীৰ কোৰঁৰেও বাপেকৰ পৰা মৰম-চেনেহ নেপাইছিল দেখি তাৰ মনতো বিৰকতি লাগি আছিল। এতিয়া ছয়োটাই সখি বান্ধি লৈ কোনেও কাকো কেতিয়াও নেৰেঁা বুলি কথা বান্ধি ললে।

সিহঁত গৈ থাকোঁতে গৈ থাকোঁতে বাটতে ৰাতি হ'ল। বাটত যাওঁতে গধূলি পৰত সিহঁতে দেখিলে যে সিহঁতৰ পিছে পিছে কৰবাৰ পৰা এজনী কিলখোৱা ওহাৰেৰে গাখীৰতী ছাগলী আহিব লাগিছে। সিহঁতে এজোপা বৰ-গছৰ তলত থাকি ৰাতিটো কটাবলৈ মন কৰি ৰ'লত দেখিলে যে ছাগলীজনীও তাতে ৰ'ল। ছাগলীজনীয়ে সেইদৰে সিহঁতৰ লগ লোৱা দেখি সিহঁতে তাইক নেখেদাই ওচৰতে বান্ধি থলে, আৰু কোৱামেলা কৰিলে যে "ভালেই হ'ল ৰাতি এইৰ গাখীৰ খীৰাই খামহঁক।" অলপ ৰাতি হ'লত সঁচাকৈয়ে সিহঁতে ছাগলীজনী খীৰাই বহুত গাখীৰ পালে, আৰু এটাইকেইটাই হেঁপাহ পলুৱাই গাখীৰ খাই মহা আনন্দেৰে শুই থাকিল। ছাগলীজনী আচলতে ৰাক্ষসী আছিল। ৰাতি দুপৰ হ'লত তাই মনে মনে নিজ মূৰ্ত্তি ধৰি ৰাক্ষসী হৈ ছয় সখিয়েকৰ এটাক খাই থৈ আকৌ ছাগলী ৰূপ ধৰি আগৰ ঠাইতে বান্ধ খাই থাকিল। ৰাতি পুৱালত সিহঁতে উঠি লগৰ সখিয়েক এটাক নেদেখি ভাবিলে যে সি সিহঁতক এৰি ৰাতিয়েই পলাই গ'ল। নাইকিয়া হোৱা সখিয়েকৰ কাৰ্য্যক গৰিহণা দি সিহঁতে সেইদিনা আকৌ যাবলৈ ধৰিলে আৰু যাৰ ছাগলী তাৰ ঘৰলৈ যাওক বুলি ছাগলীজনী মেলি দিলে। কিন্তু অলপ গৈ দেখিলে যে ছাগলীজনীয়ে সিহঁতৰ পিছ লোৱা হ'ল।

সেইদিনা ৰাতি হ'লত পাঁচ সখিয়েক আকৌ আগৰদৰে গছ এজোপাৰ তলতে শুই থাকিল, আৰু সিহঁতে ছাগলীজনীৰ গাখীৰ খীৰাই খাই তাইক ওচৰতে বান্ধি থলে। সেই নিশাও ছাগলীৰূপী ৰাক্ষসীয়ে আগৰ ৰাতিৰদৰে পাঁচ সখিয়েকৰ এটাক খালে আৰু বাকী কেইটাই সেই কথা গমকে ধৰিব নোৱাৰিলে। পুৱা চাৰি সখিয়েকে আকৌ সিহঁতৰ ভিতৰৰ এটাক নেদেখি সিয়ো বিশ্বাসঘাটকতা কৰি সিহঁতক এৰি গ'ল বুলি বেজাৰ কৰিলে আৰু সিহঁতে চাৰিওজনৰ ভিতৰত কোনেও আৰু কাকো নেৰেঁা বুলি শপত খালে।

সেইদিনাও গধূলি হ'লত চাৰি সখিয়েকে এজোপা গছৰ তলত আশ্ৰয় লৈ ছাগলীজনী বান্ধি গাখীৰ খীৰাই খাই শুই থাকিল; কিন্তু ৰাতি আকৌ আগৰদৰে ঘটিল, তেওঁলোকৰ এজন ৰাক্ষসীৰ পেটত সোমাল। ৰাতিপুৱা বাকী তিনিজনে পুনৰ তেনে ঘটনা ঘটা দেখি বৰ বেজাৰ কৰি আকৌ যাবলৈ ধৰিলে। সেই ৰাতিও পূৰ্ব্বৰতে তেওঁলোক এজোপা গছৰ তলত শুই থাকোতে তিনিজনৰ এজনক আকৌ ৰাক্ষসীয়ে খালে। ৰাতিপুৱা বাকি থকা দুই সখিয়েকে বাৰে বাৰে তেনে হোৱা দেখি মনে মনে বেজাৰ কৰি সেই গছৰ তল এৰি যাবলৈ ধৰিলে।

গধূলি দুয়ো আগৰদৰে আকৌ এজোপা গছৰ তলত থিতি হ'ল আৰু খাই-বৈ শুই থাকিল; কিন্তু মনত নানা ভাৱনা-চিন্তা হোৱা খাবে তেওঁলোকৰ ভালকৈ টোপনি অহা নাছিল। এনেতে ৰাতি দুপৰ হ'ল। ৰাক্ষসীয়ে ছাগলীৰ ৰূপ এৰি নিজ মূৰ্ত্তি ধৰিলে। বেই ভাই এজনক খাবলৈ ধৰিলে, সি ৰাক্ষসীক কাকূতি কৰিবলৈ ধৰিলে, "মোক নাখাবা, নাখাবা" বুলি। কিন্তু এক নিমিষতে তাৰ মাত মাৰ গ'ল, সি ৰাক্ষসীৰ পেটলৈ গ'ল। কাণ্ড দেখি ভয়ত সিজন নিসাৰসাৰে পৰি থাকিল। এতিয়া যিজন বাকী ৰ'ল, সেইজন হৈছে ৰজাৰ সেই এলাগী কুঁৱৰীৰ পুতেক। ৰাতি পুৱালতে এলাগীৰ কোঁৱৰে ছাগলী-জনী আতে এৰি থৈ ঘৰ-মুৱা হৈ খোজ ললে। অলপ বাট গৈ সি উভতি চাই দেখিলে যে ছাগলীছনী তাৰ পিছে পিছে আহিছে। মাৰি এড়াল দৈ সি ছাগলী-জনী ইমানকৈ খেদালে কিন্তু একোপধ্যে ৰাক্ষসী-ছাগলী তাৰ পিছ নেৰা হ'ল। শেহত সি কোৰা-কুখিকৈ গৈ নগৰৰ ওচৰ পাই লৰ ধৰি নগৰত সোমাল গৈ আৰু ছাগলীজনী এজনী সুন্দৰী ছোৱালী হৈ তাৰ পিছে পিছে লৰিবলৈ ধৰিলে। কোঁৱৰে উধাতু খাই গৈ ৰজাৰ আগতে ওলাই সকলো কথা কলত, তাৰ পিছত ষোৱা ছোৱালীজনীয়েও সেইবোৰ মিছা বুলি ৰজাক ক'লে। ৰজাই তাইৰ ৰূপ দেখি মোহ গৈ কোঁৱৰৰ কথা মিছা বুলি উৰাই দি ছোৱালীজনীক নিজৰ কুঁৱৰী পাতি ললে। বাপেকৰ ব্যৱহাৰত মৰ্ম্মান্তিক বেজাৰ পাই এলাগীৰ পুতেক গুচি গৈ নিজৰ ঘৰত থাকিলগৈ।

এমাহ মানৰ ভিতৰতে ৰজাই দেখিবলৈ পালে যে ৰজাৰ ঘৰৰ মানুহ চুকাই যাবলৈ ধৰিছে। ৰজাই এই কথাটোৰ কাৰণ বিচাৰি দেখিলে যে তেওঁৰ নৱনৰ কুঁৱৰীয়ে দিনৌ ৰাতি এটা এটাকৈ মানুহবোৰ খাই চুকাই নিছে। তেতিয়া ৰজাই বুজিব পাৰিলে যে এলাগী কুঁৱৰীৰ পুতেকে কোৱা কথা সঁচা; তেওঁ যাৰ ৰূপত মোহ গৈ যাক তেওঁৰ নৱনৰ ৰাণী পাতিছে সেইজনী ৰাক্ষসী হে। ইয়াৰ পিছতে ৰজাই এলাগীৰ পুতেকক মতাই আনি ক'লে যে যদি সি সেই ৰাক্ষসীৰ হাতৰপৰা তেওঁক সকৰাই দিব পাৰে তেন্তে তাক তেওঁ উঠি-ৰজা পাতিব। পুতেকে এই কথা শুনি "ৰাক চেষ্টা কৰি চাওঁ" বুলি ওলাই গৈ এখন নৈৰ কাষত বহি ভাবি আছে; এনেতে এটা চিলনী কৰবাৰপৰা উৰি আহি তাৰ ওচৰতে পৰি তাক ক'লে যে "তুমি কিয় এইদৰে ভাবি আছা; তুমি এই নৈৰ পাৰেদি হাবিয়ে হাবিয়ে দিনচেৰেকৰ বাট গ'লে এখন ৰাক্ষসৰ দেশ পাবাগৈ। তাতে এই ৰাক্ষসী-ৰাণীৰ বাস আছে। মাকৰ নাম মালতী আৰু এই ৰাণী হৈ থকা জীয়েকৰ নাম আলতী। তুমি আলতীৰ পুতেক বুলি তাতে কান্দি থাকি মাকৰ আগত চিনাকি দিলেই তোমাৰ কাৰ্য্য সিদ্ধি হ'ব।" এইদৰে যি যি কৰিব লাগিব চিলনীয়ে তাক শিকাই দিলে। চিলনীৰ কথা শুনি কোঁৱৰে সেইদৰে গৈ ৰাক্ষসীৰ দেশ পালেগৈ আৰু এঠাইত বহি—

"আলতী মাক মালতী ঐ।
জীয়েৰৰ নবীয়া টান।"

বুলি যিনাই কান্দিবলৈ ধৰিলে। তাৰ কান্দোন শুনি মালতী ওলাই আহি তাক সুধিলে, "তই কোন? আলতীৰ কি হৈছে? কিয় কান্দিছ?" কোঁৱৰে উত্তৰ দিলে—"মই মালতীৰ পুতেক। তেওঁৰ ঘৰ মৰামুছা নবীয়া। সেইদেখি মোৰ বুঢ়ী আইক ৰ৷তৰি দিবলৈ আহিছোঁ। তুমিনো কোন?" মালতীয়ে ক'লে, "ময়েই মালতী।" এই কথা শুনি কোঁৱৰে ৰবকৈ কান্দিবলৈ ধৰিলত, মালতীয়ে কোঁৱৰক নাতিয়েক ভাবি মৰম কৰি ঘৰলৈ নৈ গ'ল। কিন্তু কোঁৱৰে ৰবকৈ কান্দি কান্দি মালতীক কবলৈ ধৰিলে, "বুঢ়ীআই, মোৰ আইৰ ইমান নবীয়া মই দেখি আহিলোঁ এতিয়ামানে তেওঁ কিজানি চুকালেই।" এই কথা শুনি মালতীয়ে তাক বুজনি দি ক'লে, "মোৰ সোণাই, তই বেজাৰ নকৰিবি তোৰ মাৰ মৰিব নোৱাৰে। মই তোৰ মাৰৰ দেহ-লাও তোক দেখুৱাওঁ আহ।" এইবুলি চোৰ-চাঙত তাক তুলি মালতীয়ে জীয়েকৰ দেহ-লাওটো দেখুৱাই ক'লে, "এইটো দেহ-লাও মোৰ, সেইটো মাৰৰ, সৌ কেইটা মোমায়েৰ-হঁতৰ। বোপাই, এই দেহলাও কেইটা নাকাটিলে আমি কোনো নমৰোঁ। তই মিছাতে কিয় বেজাৰ কৰিছ?" ইয়াৰ আগেয়ে চিলনীৰ বুধিমতে কোঁৱৰে তাৰ গাৰ কাপোৰৰ ভিতৰত লুকাই দা এখন নৈ গৈছিল। সি তৎক্ষণাত সেইখন উলিয়াই নৈ তাৰে মেছ্ মেছ্ কৰে দেহ-লাও কেইটা কাটি পেলালে। কটা মাত্ৰকে ধুপ ধুপ্ কৰে ৰাক্ষসবোৰ পৰি মৰিল। ইফালেও ৰজাৰ আগতে আলতী নিজৰ ৰাক্ষসী ৰূপ ধৰি ধুপ্ কৰে পৰি মৰি থাকিল।

ইয়াৰ পিচত এলাগীৰ কোঁৱৰক বাপেকে উঠি-ৰজা পাতি নিজে বহি-ৰজা হৈ সুখেৰে থাকিল।

ঊনত্ৰিংশ সাধু

ককা-দেউতা।—"বোপাই ঐ, কাইলৈ মই তীৰ্থলৈ যাবলৈ থিৰ কৰিছোঁ। বৰ বুঢ়া হৈ আহিছোঁ, আৰু নো কিমান দিন জীয়াই থাকিম। এতেকে

কিছুমান দিন আৰু তই সাধু শুনিবলৈ নাপা। ঈশ্বৰে ভালে-কুশলে ওভোতাই আনিলে আকৌ এইদৰে সাধু শুনিবলৈ পাবি ; নহলে নাই।"

নাতি-ল'ৰাই ককাকৰ কথা শুনি বেজাৰ কৰি ক'লে—"ককা-দেউতা, ঈশ্বৰে নিশ্চয় তোমাক ভালে-কুশলে আনি আকৌ আমাক দিব। মই ঈশ্বৰৰ চৰণত তোমাৰ ভালৰ অৰ্থে নিতৌ প্ৰাৰ্থনা কৰি থাকিম। আজি কোৱাঁ ককা-দেউতা তোমাৰ শেষ সাধুটো।" ককাকে উত্তৰ দিলে—"মোক চুমা এটা দে, আৰু শুন"—

দুই ৰাজপুত্ৰ

এক ৰজাৰ দুজনী ৰৈণীয়েক আছিল। বৰজনীৰ দুটা ল'ৰা। সৰুজনীৰ ল'ৰা-ছোৱালী একো নাছিল। ল'ৰা দুটা ওপজাৰ কিছু দিনৰ পিছতে বৰ কুঁৱৰী মৰিলত সিহঁতক ডাঙৰ-দীঘল কৰাৰ ভাৰ সৰু কুঁৱৰীৰ গাত পৰিল। সৰু কুঁৱৰীয়ে ল'ৰা দুটাক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল যদিও, পেটে সমনিতে সিহঁতক তেওঁ দেখিব নোৱাৰিছিল ; সেইদেখি সদায় সিহঁতৰ দায়-জগৰৰ কথা বাপেকক লগাই আছিল।

এদিন ৰজাই পহু মাৰিবলৈ গ'ল। ল'ৰা দুটিয়ে সেই কথা শুনি "দেউতাই পহু মাৰিবলৈ গৈছে, খাম ঔ খাম" বুলি দেও দি নাচি ফুৰিছিল। কিন্তু দুৰ্ক-পালৰ গুণে ৰজাই সেইদিনা এটাও পহু মাৰিব নোৱাৰিলে। ৰজাই উভতি আহি সেই কথা ৰৈণী-য়েকৰ আগত ক'লত, ৰৈণীয়েকে ক'লে "নেপাৰ তো আপোনাৰ যিহে থকুৱা ল'ৰা, আপুনি যোৱাৰেপৰা সিহঁতে 'খাম ঔ। খাম ঔ।' কৰি আছে। এনে-কুৱা আপদীয়া ল'ৰাক খেদাই দিয়া হে উচিত।" পহু নেপাই আৰু ওৰেদিনটোৰ পৰিশ্ৰমৰ ভাগৰত ৰজাৰ মনটো বেয়া লাগি আছিল ; সেইবাবে অনেক বেয়া-বেয়াকৈ ৰৈণীয়েকে ল'ৰা দুটাৰ বিৰুদ্ধে লগালত ৰজাই খপ্ কৰে ক'লে, "দিম কাইলৈ সিহঁতক খেদাই।" বাপেকৰ মুখৰ এই কথাষাৰ সৰু ল'ৰাটিয়ে কেনেবাকৈ শুনি তাৰ মনত বৰ বিৰক্তি লাগিল। সি ৰাতিয়েই তাৰ ককায়েকক ক'লে, "ককাইদেউ, দেউতাই মাহীৰ কথা শুনি কাইলৈ আমাক ঘৰৰপৰা খেদাই দিব খুজিছে। আমি যেন ইয়াত কি কেলেহুৱা চপনীয়া হে। মই কওঁ, আমি ইয়াত আৰু থকাটো উচিত নহয় ; আমাক খেদোৱাৰ আগতেই আমি গুচি যাওঁগৈ আহাঁ।" ভায়েকৰ কথাতে ককায়েকে হয় দিলত দুয়ো সেই ৰাতিয়েই পলাই গুচি যোৱাকে থিৰ কৰি, ঘোঁৰাশালৰপৰা দুটা ঘোঁৰা লৈ আৰু হাতত দুখন তৰোৱাল লৈ ওলাই গ'ল।

সিহঁত গৈ থাকোঁতে গৈ থাকোঁতে এঠাইত ৰাতি পুৱাল। ভায়েকে ককায়েকক ক'লে, "ককাইদেউ, মোৰ বৰ পিয়াহ লাগিছে, ইয়াত কৰবাত পানী পায় নে চোৱাঁচোন। পিয়াহত মোৰ অন্তেকণ্ঠে শুকাই নিছে ; এটোপা পানী নাখালে মই আৰু যাবই নোৱাৰোঁ।" ককায়েকে গছ এজোপাৰ ওপৰত উঠি চাৰিওফালে চাই অলপ দূৰত এখন নৈ দেখা পালে। তেতিয়া সি গছৰপৰা নামি আহি, ভায়েকক তাতে থাকিবলৈ কৈ পানী আনিবলৈ গ'ল।

ককায়েকে গৈ নৈৰ কাষ পাওঁতেই দেখিলে যে বাটতে শুকুলী হাতী এজনী শুই আছে। সি হাতী-জনীক ক'লে, "হেৰ উঠ। মোক বাট এৰি দে! মোৰ ভাইটিৰ বৰ পিয়াহ লাগিছে, বেগতে মই পানী এটোপা আনি তাক খাবলৈ দিওঁ।" শুকুলী হাতী-জনীয়ে উত্তৰ দিলে, "কত বাটকৰা মানুহ মোৰ ওপৰেদিয়েই ডেই গৈছে, তুমিও যোৱাঁ, তুমি নো গ'লে কি হ'ল ? মই উঠিব নোৱাঁৰো, মোৰ বৰ ভাগৰ লাগিছে দেখি শুই আছোঁ।" হাতীৰ কথা শুনি ৰজাৰ ডাঙৰটো ল'ৰাই আগ-গুৰি নাভাবি হাতী-জনী ডেই যাবলৈ বুলি তাইৰ পিঠিত ভৰি দিলতে হাতীজনীয়ে তাক পিঠিত লৈ থিয় হ'ল আৰু লৰি যাবলৈ ধৰিলে। ৰজকোঁৱৰে তাক পিঠিৰপৰা নমাই দিবলৈ হাতীজনীক ক'লে হে ক'লে, তথাপি হাতীয়ে ননমাই তাক লৈ গুচি গ'ল।

সেই দেশৰ ৰজাজন দুদিনমানৰ আগেয়েই হঠাৎ ঢুকাইছিল। ৰজা অপুত্ৰক আছিল দেখি ৰাজপাটত বহিবলৈ কোনো নথকা বাবে পাত্ৰ-মন্ত্ৰী সভাসদসকলে ভাল চাই ৰজাৰ ল'ৰা এজন বিচৰাই চাৰিওফালে মানুহ পঠিয়াইছিল। ৰজাৰ শুকুলী হাতীয়েও ৰজাৰ ল'ৰা বিচাৰি আহি সেইদৰে বাটতে পৰি আছিল। সেইদেখি তাই এই সৰ্ব্ব-সুলক্ষণীয়া ৰজাৰ ল'ৰাটি দেখি পিঠিত তুলি লৈ গুচি গ'ল।

ৰজকোঁৱৰে যেতিয়া দেখিলে যে হাতীজনীয়ে তাৰ কাকুতি-মিনতি একোলৈকে কাণ নিদি তাক লৈ গৈছে, নিৰুপায় হৈ তাৰ গাৰ চেলেং কাপোৰখন ডোখৰ ডোখৰকৈ ফালি তাৰে একোডোখৰ বাটে বাটে পেলাই যাবলৈ ধৰিলে, যাতে তাৰ ভায়েকে সেই চিনে চিনে গৈ তাৰ ওচৰ ওলাবগৈ পাৰে।

শুকুলী হাতীয়ে ৰজকোঁৱৰক লৈ গৈ ৰাজপাটত তুলি দিলত পাত্ৰ-মন্ত্ৰীসকলে তাক ৰজা পাতি সেৱা কৰিলে।

ইফালে ভায়েকে বাট চাই চাই ককায়েকক নেদেখি ঘোঁৰাত উঠি বিচাৰি আগবাঢ়ি আহি নৈ পালেহি। নৈতে সি পানী খাই পিয়াহ গুচাই নৈ

ককায়েকৰ চেলেঙৰ খুটুৰাবোৰ দেখি সেই চিনে চিনে গৈ ৰজাৰ নগৰ পালেগৈ। সি নগৰ সোমালতে ৰজাৰ চকিয়ে তাক ঘোৰা-চোৰ বুলি ধৰি ঘোৰাটো কাঢ়ি লৈ, তাক মাৰি-কিলাই খেদাই দিলে। সৰু কোঁৱৰে কান্দি-কাটি এজনী মালিনীৰ ঘৰত আশ্ৰয় ললেগৈ। মালিনীৰ তাৰ মৰম লাগি তাই খুৱাই-বুৱাই তাক ৰাখিলে।

ইয়াৰ দিনচেৰেকৰ পিছত, সৰু কোঁৱৰে বাটত ফুৰোঁতে বামুণৰ গৰখীয়া ল'ৰা এটাই গধূলি অকলৈ গৰু লৈ অহা দেখি, হাতৰ লাখুটি ডালেৰে টাঙোন মাৰি গৰখীয়া ল'ৰাটো মাৰি গৰখীয়াৰ কাণৰ কেৰুজোৰ আৰু গাৰ কাপোৰখন সোলোকাই লৈ নিজে পিন্ধি গৰু লৈ বামুণৰ ঘৰত ওলালহি। গধূলি মুনি-চুনি বেলিকা সি বামুণৰ ঘৰৰ আগ-চোতাল পাই মাত লগালে, "আই, মোৰ জ্বৰ উঠিছে, গৰু কেইটা চাওক, মই শুই থাকোঁ।" এইবুলি সি ঘৰৰ চুকতে সোমাই শুই থাকিল। বামুণ-বামুণীয়ে খাই-বৈ শুলত ৰাতি উঠি সি বামুণৰ ঘৰত ক'ত কি কি বস্তু আছিল সোপাকে চাই ল'লে। সেইদেখি বামুণ-বামুণীয়ে তাক যিহকে আগৰ নিজৰ গৰখীয়া ভাবি যি বস্তুকে আনিবলৈ কয়, যিহকে কৰিবলৈ কয়, তাকে সি আনিব আৰু তাকে কৰিব পৰা হ'ল। সি যিটো বস্তু আনিব নোৱাৰিছিল, সেইটো সি বৰ জ্বৰৰ তাপত পাহৰিলো বুলি কৈ গা সাৰিছিল; আৰু হোজা বামুণীয়ে সেইদেখি তাক একো সন্দেহ নকৰিছিল।

এদিন সি নৈত তাৰ গাটো ভালকৈ ঘঁহি-পিহি ধুবলৈ বুলি বামুণীক খুজি খাৰণী এটোপা লৈ গা ধুই আছিল; এনেতে ওচৰতে ৰজাৰ ঘাটত ৰজাৰ ভনীয়েকেও গা ধোৱক। সৰু কোঁৱৰে খাৰণী ঘঁহি নৈত গা ধুলত তাৰ গাটোৰ মলি গুচি বৰণ কেঁচা-সোণৰ বৰণ যেন হ'ল। ৰজাৰ ভনী-য়েকে তাক তেনেকুৱা দেখি ৰজাৰ কোঁৱৰ বুলি চিনি পাই, পানীত বুৰ মাৰি আহি তাৰ কাণৰ কেৰুজোৰ চুৰ কৰি লৈ গ'ল, আৰু নিজৰ মনতে তাক স্বামী বুলি বৰিলে।

ইয়াৰ পিছত গৰখীয়া সৰু কোঁৱৰ ঘৰলৈ আহিলত, বামুণীয়ে তাৰ "কেৰুজোৰ কলৈ গ'ল" বুলি তাক সুধিলত, সি "পানীত পৰি হেৰাল" বুলি কলে। কিছুমান দিনৰ মূৰত ৰজাই ভনীয়েকৰ সয়ম্বৰ পাতিলে। বামুণে গৰখীয়াক ক'লে, "হেৰ আজি ৰজাৰ ভণীয়েকৰ সয়ম্বৰ, আহচোন আমিও চাবলৈ যাওঁহঁক।" এইবুলি বামুণ গৰখীয়াৰে সৈতে সেই সয়ম্বৰলৈ গ'ল। ৰজাৰ ভনীয়েকে সয়ম্বৰ সভালৈ আহিয়েই বামুণৰ গৰখীয়াক দেখি সেই তেওঁ গা ধোওঁতে দেখা ল'ৰাটোয়েই বুলি চিনি পাই তাৰ ডিঙিত মালা দিলে।

দেশ-বিদেশৰ পৰা অহা আনবোৰ ৰাজকোঁৱৰে ৰজাৰ ভনীয়েকৰ পৰা মালা পাবলৈ আশা কৰি মূৰ দোঁৱাই থাকোঁতেই গ'ল। ৰজাৰ ভনীয়েকে গৰখীয়াৰ মূৰত মালা দি গৰখীয়াক স্বামী বৰা দেখি সকলোৱে লাজত তললৈ মূৰ কৰি ৰ'ল। আৰু ৰজাই বৰকৈ অপমান পাই ভনীয়েকক খেদাই দিলে।

গৰখীয়া ল'ৰা বৈণীয়েকেৰে সৈতে হাবিৰ কালে গুচি গৈ হাবিতে ঘৰ এটা সাজি থাকিল। ইফালে ককায়েক ৰজাই ভায়েকৰ শোকত পাটাবপৰা উঠিবই নোৱাৰা হ'ল। তেওঁৰ ভায়েকটি অৰ্থাৎ সৰু কোঁৱৰ দেখিবলৈ হৰিণা পহুটি যেন আছিল। আৰু ভনীয়েক অৰ্থাৎ তেওঁ যিজন ৰজাৰ ৰাজপাটত বহি ৰজা হৈছিল সেই ৰজাৰ ভনীয়েকেও (যাক গৰখীয়াই লৈ গ'ল) দেখিবলৈ এজনী হৰিণা পহু যেন আছিল। সেইদেখি তেওঁ এহাল হৰিণা পহু চাই থাকি মন জুৰাবলৈ ইচ্ছা কৰি পহু এহাল ধৰি আনিবলৈ হাবিলৈ মানুহ পঠিয়ালে। সেই মানুহবে এজোৰা এদিন সৰু কোঁৱৰ তেওঁৰ বৈণীয়েকেৰে সৈতে থকা হাবিত ওলালগৈ। তেওঁলোক ক'ৰ মানুহ কিয় হাবিলৈ আহিছে বুলি সৰু কোঁৱৰে পহু বিচৰা মানুহজোবাক সুধিলত সিহঁতে ক'লে যে আমাৰ ৰজাৰ বৰ নবীয়া। সেইদেখি তেওঁ হৰিণাপহু চাবৰ মন কৰি এহাল হৰিণাপহু বিচাৰি লৈ যাবলৈ আমাক হাবিলৈ পঠিয়াইছে। সৰু কোঁৱৰৰ বৈণীয়েকে তেওঁৰ গিৰিয়েকৰ পৰা ককায়েক-ভায়েকৰ আতিগুৰি আৰু পিছৰ সকলো বৃত্তান্ত শুনি থৈছিল। সেইদেখি তেওঁ ৰজাকে গিৰিয়েকৰ সেই হেৰোৱা ককায়েক বুলি বুজিছিল। এতিয়া সুবিধা বুজি তেওঁ সেই মানুহজোবাক ক'লে যে "তোমালোক কাইলৈ পুৱাই ইয়ালৈ আহিবা, আমাৰ এহালি হৰিণাপহু আছে, পাৰি তাকে দিম। এই কথা শুনি মানুহজোৰা উভতি গ'ল। ৰাতি পুৱালত মানুহজোৰাই আহি তেওঁলোকক হৰিণাপহু খুজিলত, তেওঁ সিহঁতক কলে, "তোমালোক আগ বাঢ়া আমি এতিয়া তোমালোকৰ পিছে পিছে হৰিণাপহু লৈ যাব লাগিছোঁ।"

সৰুকোঁৱৰৰ বৈণীয়েকে বেশচন কৰি, আৰু গিৰিয়েকক মূৰে গায়ে কাপোৰ দি ঢাকি লৈ ৰজাৰ ঘৰ ওলালগৈ। তেওঁ গৈয়েই ৰজাৰ ওচৰ পাই ৰজাক ক'লে, "মই হৰিণাপহু আনিছোঁ, এটা ঘৰৰ ভিতৰত এখন আঁৰ-কাপোৰ তৰাই দিয়ক আৰু ওচৰতে এটা ঢাকি লগোৱাই দিয়ক। মই আঁৰ-

কাপোৰৰ ভিতৰত আষাৰচেৰেক কথা কৈ স্বৰ্গদেৱৰ আগত পহু উলিয়াই দিম।" এইবুলি ক'লত ৰজাই সেইদৰেই দিহা কৰাই দিয়ালে। ইয়াৰ পিছত সৰু কোৱঁৰৰ ঘৈণীয়েকে আঁৰ-কাপোৰৰ ভিতৰত সোমাই চাকিটোক সম্বোধন কৰি কবলৈ ধৰিলে—

"শুনিছা বন্তি!—আই আছিল পাটমাদৈ, বোপাই আছিল ৰজা।

পাটৰ কাপোৰ ঘিণত নিপিন্ধিলোঁ, এতিয়া হলোঁহি প্ৰজা॥

এক এনেকৈ কুটীল মাহীয়ে এনেকৈ দিলে খেদি।

এক এনেকৈ ৰাতিয়েই হালিয়ে ঘোৰাত আহিলো উঠি॥

এক এনেকৈ বাটত আহোঁতে ভাইৰ পিয়াহ লাগিলে।

পানী বিচাৰি আহোঁতে ককাইক ভুৰা দি শুকুলী নিলে॥

এক এনেকৈ ওৰে বাটটোৱে কঁকায়ে চেলেং ফালে।

এক এনেকৈ চিনে চিনে আহি ভায়েকে ওচৰ পালে॥

এক এনেকৈ ঘোৰা-চহিচে ঘোৰা-চোৰ বুলি ধৰি।

এক এনেকৈ মাৰিকিলাই ঘোৰাটো ললে কাঢ়ি॥

এক এনেকৈ বামুণৰ ঘৰত গৰুৰ গৰখীয়া হ'লা।

এক এনেকৈ সয়ম্বৰ পাই ডিঙিত পালে মালা॥

এক এনেকৈ হৰিণা বুলি টেকেলাই আনিছে ধৰি॥"

সৰু কোৱঁৰৰ ঘৈণীয়েকে বিনাই বিনাই এইখিনি গালতে ৰজাই একে চাবেই উঠি আঁৰ-কাপোৰৰ ভিতৰত সোমাল আৰু ভায়েকক দেখি চিনি পাই ডিঙিত গৰা মাৰি ধৰিলে। ভনীয়েককো ৰজাই চিনি পাই ডিঙিত ধৰি হুক হুককৈ কান্দিবলৈ ধৰিলে। তেতিয়াই ৰজাৰ নবীয়া ভাল হ'ল। ৰজাই তেতিয়া নগৰত ঢোল পিতাই শুনাই দিলে যে আজিৰপৰা কোনো মানুহে বিদেশী মানুহক ৰজাৰ ওচৰলৈ ননাকৈ নামাৰিব নিকিলাব। ভায়েকক কিলাই যি চহিচটোৱে ঘোৰাটো কাঢ়ি লৈ গৈছিল তাক ধৰাই আনি চাম্তাৰে কোবাবলৈ আজ্ঞা দিলে। আৰু ভায়েকক উঠি ৰজা পাতি তেওঁ ৰহি-ৰজা হ'ল। ভণীয়েককো ৰৰ মৰম কৰি নিজৰ দোষৰ ক্ষমা মাগিলে।

ইয়াৰ পিছত দুই ভায়েকে বাপেকৰে সৈতে দেখা কৰিবলৈ বাপেকৰ ৰাজ্যলৈ গ'ল। পুতেকহঁত ৰজা হৈ মহাপয়োভৰেৰে আহিছে শুনি বাপেকে ৰৰ ৰং পাই সিহঁতক সাদৰি সাদৰি নি ঘৰত সুমালে। মাহীয়েকেও বাহিৰে দেখুৱাই সিহঁতক তেতিয়া মৰম কৰিবলৈ ধৰিলে।

গধূলি ৰজাই পুতেকহঁতেৰে সৈতে ভাত খাবলৈ ৰহিল। কিন্তু ৰৰটো ল'ৰাই বুজিছিল, যে যদিও মাহীয়েকে তেওঁলোকক মুখেৰে মৰম কৰি আদৰ দেখুৱাইছে, আচলতে মাহীয়েকৰ বুকুত সাঁতকুৰা জুই জলিছে। গতিকে মাহীয়েকে তেওঁলোকৰ অনিষ্ট কৰিবলৈ খুব যত্ন কৰিব। সেইদেখি ককায়েকে ভাত খাবলৈ বোৱাৰ আগতে ভায়েকক মনে মনে ক'লে, "মই নকলে তুমি ভাতৰ গৰাহ মুখত নুতুলিবা।" ভাতৰ পাতত দুই ভায়েকে হাত দি ৰহি থকা দেখি বাপেকে তেওঁলোকক সুধিলে, "কি হ'ল ? ভাত নাখাৱহঁক কিয় ?" ৰৰ কোৱঁৰে ক'লে, দেউতা আমি ভাত খাব নোৱাৰো, ভাতত বিহ দিয়া আছে।" ৰজাই সেইটো ভয় মিছা বুলি উৰাই দিলত, ককায়েকে তাৰে এগৰাহ ভাত ওচৰতে থকা মেকুৰীজনীক খাবলৈ দিলত, মেকুৰীজনীয়ে ভাত গৰাহ খাই খিতাতে মৰি থাকিল। বাপেকে তেতিয়া কুঁৱৰীক কাটিবলৈ হুকুম দিলে।

ইয়াৰ পিছত কিছুমান দিন বাপেকৰ ৰাজ্যতে দুই কোৱঁৰে মহাসুখে খাই-বৈ থাকি নিজৰ ৰাজ্যলৈ উভতি আহি ৰাজ্য পালন কৰিবলৈ ধৰিলে।

বুঢ়ী আইৰ সাধু

মেকুৰীৰ জীয়েকৰ সাধু

এঘৰ মানুহৰ এজনী ৰৰ চেনেহৰ মেকুৰী আছিল। তাই গাভিনী হৈছিল। ঘৰৰ গিৰিহঁতনীও ঠিক সেই সময়তে গাভাৰী আছিল। মেকুৰীজনীৰ ৰৰকৈ মাছ খাবৰ মন যোৱাত তাই, "মোৰ মাছ খাবৰ মন গৈছে" বুলি গিৰিহঁতনীক কলে। গিৰিহঁতনীয়ে উত্তৰ দিলে, "আই হে' তই চপাই কোচাই আনি দিলেহে মই খাবলৈ দিব পাৰোঁ, নহলেনো মই ক'ৰপৰা দিম ?" ইয়াকে শুনি মেকুৰীজনীয়ে সেই দিনাখনৰ পৰা অইনৰ ঘৰৰ পৰা চুৰতাৰি কৰি বা ডকাহকা দি কোনোৰকমে মাছ আনি দিবলৈ ধৰিলে। ইফালে গিৰিহঁতনীয়ে মাছ বাছি-বাছি খাই মেকুৰীজনীক খালি কাঁইটবোৰ খাবলৈ দিলে। সেইদৰে মেকুৰীজনীয়ে দিনৌ মাছ আনি খাবলৈ নেপায়। ইয়াতে তাইৰ মনৰ ৰৰ বেজাৰ লাগি গিৰিহঁতনীক শাও দিলে, "মোৰ পেটত যি আছে তাইৰ পেটলৈ যাওক আৰু তাইৰ পেটত যি আছে মোৰ পেটলৈ আহক।" ইয়াৰ কিছু দিনৰ পাচতে সঁচাসঁচিকৈয়ে গিৰিহঁতনীয়ে দুটা মেকুৰী পোৱালী পালে আৰু মেকুৰীয়ে ছোৱালী দুজনী পালে। আতোঁপুতোঁ কৰি মেকুৰীয়ে ছোৱালী দুজনীক কোনোৰকমে ডাঙৰ কৰিলে। ছোৱালী দুজনীক ঘৰতে থৈ মেকুৰীয়ে নিতৌ মাছ-পাখীৰ ইত্যাদি বিচাৰি যায়। ছোৱালী দুজনী ডনা হলত সিহঁতে এদিন মাকক কলে, "আই তুমি যদি গাঁৱলৈ যাওঁতে কোনোবাই মাৰি থয় তেনেহলে আমি কেনেকৈ জানিম আৰু কি কৰিম ?" তেতিয়া মাকে এজোপা তুলসী আৰু তাৰ ওচৰতে এমলা পাখীৰ থৈ কলে, "যদি মোক কোনোবাই মাৰে তেন্তে এই তুলসীজুপি জঁয় পৰিব আৰু পাখীৰমলা ক'লা হব। তেতিয়া তহঁতে মোক বিচাৰি যাবি।" ইয়াৰ দিন দিয়েকৰ পিচত তুলসীজোপা জঁয় পৰিল আৰু পাখীৰমলা কেহেৰাজ-বৰণীয়া হল। তেতিয়া মাকৰ কিবা হল বুলি ভাবি কান্দিকাটি ছোৱালী দুজনীয়ে মাকক বিচাৰি গ'ল। সিহঁতে জানেবান দূৰ গৈ ভনীয়েকৰ পিয়াহ লাগিলত পানী বিচাৰি যাওঁতে আগতে এখন নৈ পালেগৈ। নৈৰ গৰাতে ভনীয়েকক থৈ বায়েকে পানী আনিবলৈ নামি গল। তাই আঁজলি দিয়েক নিজে খাই ভনীয়েকলৈ পানী আনিবলৈ ধৰোঁতে পানী শুকাই গল আৰু জলকোঁৱৰে মাত লগালে, "যদি তোমাৰ হাতৰ আঙঠিটো মোক দিব পাৰা তেন্তে তুমি পানী নিব পাৰা।" ভনীয়েকতকৈ আঙঠিটোনো কি ডাঙৰ বস্তু, এইবুলি বায়েকে, আঙঠিটো দি পানী আনিলে। ভনীয়েকে পানী খাই বায়েকক আকৌ আঙঠিটো আনিবলৈ পঠিয়াই দিলে। এইবাৰ বায়েকে পানীত নামোঁতেই জলকোঁৱৰে তাইক হৰি নিলে। বায়েকক নিয়া দেখি ভনীয়েকে বামতে বহি হিয়া-মূৰ ডুকুৰাই কান্দিবলৈ ধৰিলে। ইয়াৰ কিছু পৰৰ পিচতে এজন মুদৈ বেপাৰলৈ আহোঁতে অকলশৰীয়া ৰূপহী ছোৱালীজনী নৈৰ পাৰত বহি থকা দেখি তাইক নাৱত তুলাই নৈ গুচি গল। ঘৰ পাই মুদৈয়ে তাৰ দুজনী ঘৈণীয়েকৰ লগতে তাইকো এজনী সৰু ঘৈণী পাতি ললে। কোমল বয়সীয়া সৰু ঘৈণীয়েকক মুদৈয়ে আগৰ দুজনী ঘৈণীয়েকতকৈ বেছি মৰম কৰিবলৈ ধৰিলে। খিয়ালতে ই দুজনীয়ে, কেনেকৈ মুদৈয়ে এইক দেখিব নোৱাৰা হয় তাৰেহে উপায় চিন্তিবলৈ ধৰিলে। তাইৰ প্ৰথম বাৰ অশৌচৰ সময়ত তাইক চকু দুটা কাপোৰেৰে বান্ধি তাই এটা ঢেঁকীখোৱা পালে বুলি কৈ তাই পোৱা মতা ল'ৰাটো সতিনীয়েকহঁতে নৈত উটাই দিলে। পিচৰ বাৰতো তাই তেনেকৈ এটা বন্দালাও পালে বুলি সিহঁতে কৈ আচল মতা লৰাটো নৈত উটাই দিলে। ইফালে জলকোঁৱৰে হৰি নিয়া বায়েকে সেই উটাই দিয়া ল'ৰা দুটাক ভনীয়েকৰ ল'ৰা বুলি জানিব পাৰি তুলিতালি ডাঙৰদীঘল কৰিলে। মুদৈয়ে সৰুজনী ঘৈণীয়েকৰ এইবোৰ কথা সঁচা বুলি ভাবি তাইক কুলক্ষণীয়া তিৰুতা বুলি ঠিক কৰি নিজৰ ঘৰৰ পৰা খেদি দি চুৰাপাতনিত ঘৰ এটা সজাই দি থলে। তাই চুৰাপাতনিতে এটা ঘৰত দুখেৰে দিন কটাবলৈ ধৰিলে। এদিন মুদৈয়ে বেপাৰলৈ যাওঁতে পাখীৰ

মাজতে অলকোঁৱৰে তেওঁৰ নাওখন ধৰি ৰখালে। মুদৈয়ে নাওখন কোনো ৰকমে এৰুৱাব নোৱাৰি কি কৰোঁ। বুলি বিচুত্তি হৈ থাকোতে পানীৰ মাজৰ পৰা কোনোবাই মাত লগাই কলে—"তুমি এটা সকাম কৰিবলৈ গাত লোৱা আৰু কেতিয়া কৰিবা তাক থিবাংকৈ কৈ তোমাৰ তামোলৰ হাঁচতিখন আৰু লাখুটিডাল পেলাই থৈ যোৱা, তেহে তোমাৰ নাও মুকলি হব।" মুদৈয়ে উপায় নেপাই এটা বৰ সবাহ কৰিবলৈ দিন ঠিক কৰি হাঁচাটিখন আৰু লাখুটিডাল তাতে পেলাই দিলত নাওখন চাট্‌কৰে এৰাই গল। ইফালে জেঠায়েকে সেই ল'ৰা দুটাক সিহঁতৰ মাকে মেকুৰীৰ পেটত জন্ম লোৱাবে পৰা আৰম্ভ কৰি সিহঁতক নৈত উটাই দিয়ালৈকে এইবোৰ কথা বৰ্ণনা কৰি কলে আৰু সেই সকলো কথাখিনি সিহতৰ বাপেকে পতা বৰ সবাহৰ দিনা সিহঁতে ৰাইজক কবলৈ কলে। সিহঁতে সবাহৰ দিনা বাপেকৰ লাখুটিডাল আৰু হাঁচতিখন লৈ মুদৈৰ ঘৰৰ ফালে যাবলৈ ধৰিলে। পোনেই গৈ সিহঁতে চুৱাপাতনিত থকা মাকক আই বুলি মাতি এটুপি পানী খাবলৈ খুজিলত, সিহঁতে চুপতি কৰা বুলি মাকে ভাবি কবলৈ ধৰিলে, "মোক কিয় ভেঙুচালি কৰিছহঁক ? সোৱা সবাহলৈ মানুহ আহিছে, তালৈ যা আৰু তাতে যি পাৱ খাগৈ।" তেতিয়া সিহঁতে সকলোখিনি কথা মাকৰ আগত ভাঙি কৈ চিনাকি দি, তাতে অলপ জিৰাই-সঁতাই সবাহলৈ গ'ল। সবাহত মানুহ দিহাদিহি বহিছে, এনেতে খবৰ ওলাল যে চুৱাপতনিত থকা মানুহজনীৰ তাত খাই-বই দুজন মানুহ সবাহত বহিছিল। যেতিয়া এই কথা তাত জনাজাত হল তেতিয়া ৰাইজৰ পৰা বিচাৰ হল যে সেই মানুহ দুজনে সবাহৰ মাজত ওলাই নিজৰ চিনাকি দিব লাগে। কথাষাৰ শুনা মাত্ৰকতে দুই ককাই-ভায়েকে গিৰিপ কৰে উঠি মাত লগালে যে "আমি য'ত সোমাইছিলোঁ তেও আমাৰ আই।" তেতিয়া ৰাইজে এই বিষয়ে কি জানা বুলি মুদৈক সোধাত মুদৈযে একোকে কব নোৱাৰিলে। তেতিয়া ৰাইজে সিহঁতক সেই বিষয়ে কবলৈ কোৱাত, খৰটোৱে মাত লগালে যে ৰাইজে যেন সকলো কথা মন দি শুনে। এই বুলি সকলো কথা ভাঙি-পাতি সি কবলৈ ধৰিলে আৰু মুদৈৰ হাঁচতিখন আৰু লাখুটিডাল ৰাইজৰ আগত উলিয়াই দি সিহঁতৰ কথা সঁচা বুলি প্ৰমাণ কৰিলে। মুদৈয়ে হাঁ-হুমুনিয়াহ কাঢ়ি সৰগ পৰা মানুহ যেন হল আৰু লাখুটিডাল, হাঁচতিখন নিজৰ বুলি সৈ কাঢ়িলে। তেতিয়া সকলোৱে সতিনীৰ কুমন্ত্ৰণা বুজিব পাৰিলে আৰু মুদৈৰ ঘৈণীয়েকহঁতক মতাই সকলো কথা সোধাত সিহঁতে একো মাতিব নোৱাৰিলে। ৰাইজেও একো হাই-উৰুমি নোহোৱাকৈ সবাহ খাই গল। সবাহৰ পিছত মুদৈয়ে ঘৈণীয়েক দুজনীৰ নাক-কাণ কাটি সিহঁতক খেদি দিলে আৰু ল'ৰা দুটিৰে সৈতে সৰু ঘৈণীয়েকক আনি ঘৰ সুমালেহি। ল'ৰা দুটিও বাপেক-মাকৰ বুকু জুৰাই লগতে থাকিল।

——

বান্দৰ আৰু শিয়াল

এটা শিয়াল আৰু এটা বান্দৰ আছিল। সিহঁতে দুয়ো সখি পতাই হেঁপাহ পলুৱাই খাই ফুৰিবলৈ আলচ কৰিলে। এদিন সিহঁতে ক'ত কি খাবলৈ পাওঁ ভাবি হাবিৰ মাজৰ ৰাজআলি এটাৰ কাষত লুকাই আছিল। এনেতে সেই বাটেদি গোটাচেৰেক মানুহে বিয়াৰ গাখীৰ-গুৰ, কল-কুঁহিয়াৰ ভাৰ বান্ধি লৈ যোৱা দেখিলে। তাকে দেখি শিয়ালে বান্দৰক কলে, "সখি। সেই মানুহকেইটাই লৈ যোৱা বস্তবোৰ খাব লাগিল। এতেকে এটা বুধি উলিওৱা যাওক।—তুমি অলপ দূৰতে বাটৰ কাষৰ জোপা এটাৰ ভিতৰত লুকাই থাকা। মই এইখিনিৰ জোপা এটাতে লুকাই থাকোঁ। সিহঁতে যেতিয়া আহি আমাৰ ওচৰ পাবহি, মই মাতিম 'হোৱা' আৰু তুমি মাতিবা 'খোৱা'। দেখিবা সিহঁতে হঠাৎ আমাৰ 'হোৱা' 'খোৱা' শুনিলে ভয় খাই বস্ত পেলাই লৰ মাৰিব।"

বান্দৰে আৰু শিয়ালে এই বুদ্ধি আলচি লুকাই থাকিল। মানুহ কেইটা আহি ওচৰ পালন্ত, "হোৱা হোৱা" আৰু "খোৱা খোৱা" কৰিলত বাঘ কি ভালুক আহিছে বুলি মানুহকেটা ভয় খাই ভাৰ-খোৰ তাতে পেলাই এৰি থৈ ভিৰাই লৰ মাৰিলে। মানুহ কেইটাই পিয়াপি দি লৰ মৰা দেখি শিয়াল আৰু বান্দৰে বঙত দেওদোপাল পাৰি ভাৰৰ বস্তবোৰ লৈ গৈ হাবিত সুমুৱালে। বান্দৰে শিয়ালক কলে—"সখি, আমি বস্তবোৰ ইয়াতে খাবলৈ বহিলে, যদি সেই মানুহকেইটাই সিহঁতৰ বস্ত বিচাৰি উভতি আহে, তেন্তে আমাক ইয়াতে পালে মাৰি আধ্যা কৰি বস্তবোৰ কাঢ়ি লৈ গুচি যাব। এতেকে এটা কাম কৰা যাওক,—মই বস্তবোৰ লৈ এই ওখ গছ-জোপাৰ ওপৰত উঠোঁ আৰু তুমি তলতে থাকাঁ, তুমিতো আৰু গছত উঠিব নাজানা। ওপৰত মোৰ ভাগ বস্ত মই খাম আৰু তোমাৰ ভাগৰ বস্তবোৰ মই এটা এটাকৈ তললৈ পেলাই দি থাকিম। এতেকে তুমি মোক বস্তবোৰ দাঙি দিয়া, মই ওপৰলৈ তুলি নিওঁ।" এই কথাত শিয়াল মান্তি হৈ বস্তবোৰ দাঙি বান্দৰক দিবলৈ ধৰিলে আৰু বান্দৰে তুলি নি গছৰ কেৰেঙনিত থবলৈ ধৰিলে। সকলোখিনি বস্ত থানথিত লগাই থৈ আঁতাই বান্দৰে গছৰ 'ডালত বহি মহা সুখে

নিশ্চিন্ত মনেৰে হেঁপাহ পলুৱাই খাবলৈ লাগিল। শিয়ালে গছৰ তলৰ পৰা মাত লগালে, "সখি! মোৰ ভাগ ক'তা?" বান্দৰে কল খাই বাকলিটো তললৈ পেলাই দি কলে, "সখি চাবা, সেইটি কল গৈছে ধৰিবা।" গাখীৰ খাই চুঙা আৰু টেকেলি তললৈ পেলাই দি কলে, "সখি চাবা, তোমাৰ ভাগৰ গাখীৰ গৈছে ধৰিবা।" কুঁহিয়াৰ খাই চোবা তললৈ পেলাই দি কলে, "সখি চাবা, কুঁহিয়াৰ গৈছে ধৰিবা।" এইদৰে বান্দৰে শিয়ালক ফাঁকি দি সকলোবোৰ বস্তু খোৱা দেখি শিয়ালে খণ্ডত গছৰ গুৰিকে কামুৰি আৰু মাটি আঁচুৰিপিচৰি মনৰ দুখ মনতে লৈ তাৰপৰা গুচি গ'ল।

এদিন বান্দৰে শিয়ালক এখাহ টেকেলীয়া কোদোৰ ওচৰত বহি থকা দেখি ওচৰ চাপি সুধিলে—"সখি! কি কৰিছা?" শিয়ালে উত্তৰ দিলে, "এ সখি কিনো কম দেও হে, ৰজাই মোক দবা-ৰখীয়া পাতিছে, সেইদেখি ৰজাৰ এই দবাটো ৰখি আছোঁ।" বান্দৰে কলে, "সখি এচাপৰ বাওঁ দিয়াহে?" শিয়ালে উত্তৰ দিলে, "নোৱাৰোঁ দিব সখি। ৰজাই শুনিলে মোক কাটি দোছোৱা কৰিব। তুমি শুনা নাইনে, নবজাওঁতেই গোঁগোঁৱাই আছে?" বান্দৰে কলে, "নহয় সখি! লাহেকৈ এচাপৰ বাওঁ দিয়া, ৰজাই নুশুনে। মোৰ বৰ মন গৈছে।" শিয়ালে "থাক সখি, তোমাৰ কথানো পেলাওঁ কেনেকৈ, লাহে লাহে চাপৰ দিয়েক বোৱঁা।" এই বুলি বান্দৰক কৈ শিয়াল সাউত কৰে আঁতৰ হ'ল। বান্দৰে হবিষত কোদোৰ বাহত চাপৰ মাৰিলত, গোটেইবোৰ টেকেলীয়া কোদোৱে তাৰ হাতে-ভৰিয়ে, গায়ে-মুখে উবুৰি খাই পৰি কামুৰিবলৈ ধৰিলে আৰু বান্দৰৰ মুখ উখহি দোন যেন হল। বান্দৰে তত নেপাই বাগৰি-জুগৰি, চিঞৰি-বাখৰি শিয়াল সখিয়েকক মাতিলে, "সখি! সখি! আহাঁ, মই মৰিলোঁ।" শিয়ালে দূৰৰ পৰা উত্তৰ দিলে,—"কলটো খাই যে মোলৈ বাকলিটো পেলাই দিছিলা তাৰ উপকাৰ কৰিলোঁ।" বান্দৰে মাতিলে, "সখি! মোক ৰাখা! মই মৰিলোঁ।" শিয়ালে উত্তৰ দিলে "গাখীৰ খাই যে শুদা টেকেলিটো মোলৈ পেলাই দিছিলা তাৰ হোৰ তুলিলোঁ।" বান্দৰে মাতিলে, "সখি আহা ঐ। মই মৰিলোঁ।" শিয়ালে "কুঁহিয়াৰ খাই যে চোবা পেলাই দিছিলা তাৰ পোটক তুলিলোঁ," এই বুলি কৈ বান্দৰক তাতে এৰি আঁতৰি গুচি গ'ল।

ইয়াৰ বহুত দিনৰ পিচত বান্দৰে এদিন দেখিলে, শিয়ালে এডৰা বেজকচু বখি বহি আছে। বান্দৰে তেতিয়া সেই কোদোৰ কথা একেবাৰেই পাহৰি গৈছিল। সি ওচৰ চাপি আহি শিয়ালক সুধিলে, "সখি! কি কৰিছা? সেইডৰা কি?" শিয়ালে হাঁহিমুখেৰে বান্দৰৰ কাণে চাই মাত লগালে, "এইডৰা ৰজাৰ পুৰ। কুঁহিয়াৰ। মোক ৰজাঘৰৰ পৰা ৰখীয়া পাতিছে দেখি ৰখি আছোঁ। কিনো কৰিব দেওহে, ৰজাৰ হুকুম।" কুঁহিয়াৰৰ নাম শুনিয়েই বান্দৰৰ মুখৰ পানী ওলাল। বান্দৰে কলে—"সখি! মোক সৰু চাই এডালি খাবলৈ দিবা নে?" শিয়ালে উত্তৰ দিলে—"আও তুমিনো কি কোৱাহে? ৰজাৰ কুঁহিয়াৰ মই তোমাক কেনেকৈ খাবলৈ দিওঁ? ৰজাই শুনিলে মোকতো মাৰিবই, পেটৰ পোৱালিকো ছিৰি মাৰিব।" লুভীয়া বান্দৰে আকৌ কলে, "নহয় সখি। মোৰ বৰ মন গৈছে। এডালি মনে মনে খাবলৈ দিয়া। ৰজাই গম নাপায়।" শিয়ালে কলে, "খাব খুজিছা খোৱা, তেহেলে মোৰ যি হয় হব, কিন্তু এডালিৰ বেছি নহয়।" শিয়ালৰ অনুমতি পোৱা মাত্ৰকতে খকুৱা বান্দৰে ডাঙৰ কচু এডাল ভাঙি আনি লৰালৰিকৈ চোবাবলৈ ধৰিলে। তৎক্ষণাৎ বেজকচুৱে তাৰ মুখ খজুৱাই তত একম্বাই দিলে আৰু সি চিঞৰি গছৰ পাত সৰাই শিয়ালক মাতিবলৈ ধৰিলে "সখি! মোক ৰাখা। মই মৰিলোঁ।" শিয়ালে উত্তৰ দিলে—"কল খাই যে বাকলিটো মোলৈ পেলাই দিছিলা তাৰ উপকাৰ কৰিলোঁ।" বান্দৰে মাতিলে "সখি! মৰিলোঁ।" শিয়ালে উত্তৰ দিলে, "কুঁহিয়াৰ খাই মোলৈ চোবা পেলাই দিয়াৰ হোৰ তুলিলোঁ।" বান্দৰে মাতিলে—"সখি! মোক ৰক্ষা কৰঁা, মৰিলোঁ।" শিয়ালে—"গুৰ খাই টেকেলিটো মোলৈ পেলাই দিয়াৰ পোটক তুলিলোঁ।" বুলি তাৰপৰা গুচি গ'ল।

এই ঘটনাৰ অনেক দিনৰ পিচত, এদিন বান্দৰে কুৰিচাকি কুৰোঁতে দেখিলে যে শিয়ালটো এটা পুৰণি পাটনাদৰ ওচৰত বহি আছে। পাটনাদৰ মুখখন মকৰাজালে ঢাকি থৈছিল। বান্দৰে আগৰ দুবাৰৰ কথা একেবাৰেই পাহৰি গৈ শিয়ালক সুধিলে, "সখি কি কৰিছা?" শিয়ালে—"এ সখি কিনো কবা, ৰজাৰ ঘৰৰ এটা বিষয় মোৰ গাত সদায় লাগিয়েই আছে। ৰজাৰ এইখন কুঁৱৰীৰ যৌতুকত পোৱা দোলাৰ মোক ৰখীয়া পাতিছে, ৰখি আছোঁ।" বান্দৰে কলে,—"ৰজাৰ দোলাত উঠিবলৈ বৰ সুখ নহয় নে সখি? কেনেকুৱা এবাৰ মই উঠি চাওঁ দিয়াচোন।" শিয়ালে কলে, "নোৱাৰোঁ দিব দেওহে, ৰজাই কেনেবাকৈ দোলাত কোনোবা উঠাৰ চিন পালে মোক আজৰি কৰিব।" বান্দৰ—"কি চিন পাবহে? লাহেকৈ উঠি নামি যাম। দিয়া মোৰ সখি! এবাৰ উঠি চাবলৈ দিয়া।" "বাৰু দেৱঁা, উঠিব খুজিছা, তেন্তে কোনেও নৌ দেখোঁতেই বেগতে উঠা" বুলি শিয়ালে কলে। বান্দৰে ৰজা-

ধৰীয়া দোলাত গা মেলাই সুখ পাবলৈ তৎক্ষণাৎ চৌৱাই-ভিঙাই আপ মাৰি দি তাত পৰিলতে, মকবাৰ জাল বিদাৰি গৈ বান্দৰ নাদত পৰি মৰিল।

ঔ-কুঁৱৰী

এক ৰজাৰ দুজনী ৰাণী আছিল। তেওঁলোক দুয়ো গৰ্ভৱতী হ'ল। এদিন দুয়ো ৰাণীৰ সন্তান উপজিল। বৰৰাণীয়ে এটি ল'ৰা আৰু সৰুৰাণীয়ে এটা ঔ-টেঙা পালে। সৰু ৰাণীয়ে তেওঁৰ ঔ টেঙাহে এটা উপজিল দেখি বৰ বেজাৰ পাই তাক চুৰা-পাতনিত দলিয়াই পেলাই দিলে। কিন্তু দেখা গ'ল, দিনৌ ৰাণীয়ে কাম কৰিবৰ আৰু শুবৰ সময়ত সেই ঔ-টেঙাটো বাগৰি আহি ৰাণীৰ ওচৰ পায়হি। ৰাণীয়ে তাক দলিয়াই পেলালেও সি আকৌ বাগৰি ৰাণীৰ কাষ পায়হি। এদিন ঔ-টেঙাটো দুপৰীয়া মানুহ-দুনুহ নোহোৱা সময়ত বাগৰি গৈ নৈৰ ঘাট পাই তাতে অলপ ৰৈ আছিল। সেই সময়ত ৰজাৰ কোঁৱৰ এজনে সেই ঘাটৰ অলপ আঁওহতীয়া ঠাইত বহি বৰশী বাই আছিল। কোঁৱৰে লক্ষ্য কৰি দেখিলে যে ঔ-টেঙাটোৰ ভিতৰৰ পৰা এজনী দীপলিপ্ সুন্দৰী কন্যা ওলাই নৈত গা ধুই উঠি, ৰূপেৰে চাৰিওদিশ উজ্জ্বল কৰি চুলিকোছা ৰ'দত শুকাই লৈ, আকৌ ঔ-টেঙাটোৰ ভিতৰত সোমাই বাগৰি মাকৰ ঘৰলৈ উভতি আহিল। ৰজাৰ লৰাই কন্যাজনীৰ ৰূপ দেখি মোহ গৈ ঘাটতে বৰশী পেলাই থৈ ঘৰলৈ গুচি আহি বোহঘৰত সোমাল। ইফালে কোঁৱৰক বাপেক-মাকে নেদেখি বিচাৰি চলাথ লগাই শেহত বোহঘৰত শুই থকা পালে। কি হৈছে বুলি তেওঁলোকে কোঁৱৰক সুধিলত, কোঁৱৰে কলে যে "অমুকা ৰজাৰ ঘৰত এটা বাগৰি ফুৰা ঔ-টেঙা আছে। সেই ঔ-টেঙাটোৰে সৈতে মোক বিয়া দিব লাগে।" ৰজাৰ ৰাণীয়ে প্ৰথমতে সেইটো হাঁহি-উঠা অসম্ভৱ কথা বুলি কোঁৱৰক বুজাবলৈ ধৰিলে, কিন্তু কোঁৱৰে নুশুনিলে। কোঁৱৰৰ খটবাদ্ধ এৰাব নোৱাৰি বাপেকে ৰজালৈ সেই বাতৰি দি ঔ-টেঙাৰে সৈতে নিজৰ কোঁৱৰৰ বিয়াৰ প্ৰস্তাৱ কৰি পঠিয়ালে। ঔ-টেঙাৰ মাক ৰাণীয়ে সেই কথা শুনি কান্দিকাটি কলে যে—"মোক কিয় এইদৰে লাজ দিব লাগিছে?" কিন্তু শেহত তেওঁ এৰাব নোৱাৰি সেই কথাত মাস্তি হৈ ঔ-টেঙাটো ধুৱাই-পখলাই কোঁৱৰেৰে সৈতে তাৰ বিয়া দিলে। বৰ ধুমধাম কৰি কোঁৱৰে ঔ-টেঙাক বিয়া কৰাই দোলাত তুলি আনি নিজৰ ঘৰ পোৱালেহি।

ৰজাৰ কোঁৱৰে ঔ-টেঙাৰ সৈতে একেটা শোৱনি-ঘৰতে থাকিল। ৰাতি কোঁৱৰে খাবলৈ মাকে যি ভাত পঠিয়াই দিয়ে তাৰ এভাগ কোঁৱৰে খায় আৰু এভাগ থৈ দি শুই থাকে। কিন্তু কোঁৱৰৰ টোপনি আহিলেই ঔ-টেঙাটোৰ ভিতৰৰপৰা কন্যাজনী ওলাই সেই ভাতখিনি খাই আকৌ ঔ-টেঙাৰ ভিতৰত সোমাই থাকে। দিনৌ কোঁৱৰে টোপনিৰ পৰা উঠি সেই থৈ দিয়া ভাত নেদেখি আচৰিত মানে। কোঁৱৰে ইয়াৰ কাৰণ বুজিব নোৱাৰি মনত সদায় দুখ কৰি আমনজিমনকৈ বহি থাকে। এদিন এজনী মগনীয়া বুঢ়ী কোঁৱৰৰ ওচৰত চাউল মাগিবলৈ আহিছিল। বুঢ়ীয়ে কোঁৱৰক আমনাজিমনকৈ বহি থকা দেখি সুধিলে—"বোপা! তুমি দেখোন মন মাৰি বহি আছা? তুমি বিয়া কৰালা কিন্তু ক'তা আমি দেখোন বোৱাৰীক দেখা পোৱা নাই?" বুঢ়ীৰ কথা শুনি কোঁৱৰে আগৰ পৰা গুৰিলৈকে তাইক সকলো কথা ভাঙি ক'লত বুঢ়ীয়ে মাত লগালে, "বোপা! ঔ-টেঙাটোৰ ভিতৰতে তোমাৰ কুঁৱৰী আছে। শোৱনিঘৰৰ ভিতৰত একুৰা তুঁহজুই ধৰি থবা আৰু দৈ গাখীৰ আঠিয়া কল ফেনেকি মিহলাই ওচৰতে এটা বাটিত থৈ দিবা। তুমি তোমাৰ শোৱাপাটীত টোপনি অহাৰ ভাও ধৰি নাক ঘোৰ্ঘোৰাই থাকিবা। তোমাৰ টোপনি অ'হিছে ভাবি যেতিয়া সেই ঔ-টেঙাটোৰ পৰা ছোৱালীজনী ওলাই ভাত খাবলৈ বহিব তেতিয়া তুমি লাহেকৈ উঠি সেই ঔ-টেঙাটো তুঁহজুইত সুমুৱাই দি পুৰি পেলাবা। কিন্তু তেতিয়া দেখিবা যে ছোৱালীজনী ধাচ কৰে মাটিত পৰি গৈছে। তেতিয়াই লৰালৰিকৈ সেই বাটিৰ পৰা দৈ-গাখীৰ আৰু আঠিয়াকল আনি তাইৰ মুখত ভৰণ দিবা। দিলেই তাই জ্ঞান পাই উঠি বহিব।" বুঢ়ীৰ বুধি শুনি কোঁৱৰে বং পাই তাইক বঁটা দি বিদায় দিলে আৰু ৰাতি সেই বুঢ়ীৰ কথা মতেই কৰি ঔকুঁৱৰীক লাভ কৰিলে।

কোঁৱৰৰ বাপেক-মাকে পিছদিনা পুৱা এই ঘটনা শুনি আৰু বোৱাৰীয়েকক দেখি তেওঁলোকৰ মনত আনন্দই নধৰা হ'ল। বিয়ৈ-বিয়নী ৰজা-ৰাণীলৈ এই বাতৰি তেওঁলোকে কৈ পঠিয়ালত তেওঁলোকৰো মনত মহা ৰং মিলিল আৰু আকৌ তেওঁলোকে মহা পৰোভৱেৰে জীয়েক ঔকুঁৱৰীক কোঁৱৰলৈ বিয়া দিলে।

চোঁৱাকাটী আৰু টিপচীচৰাই

এক যোগে, চোঁৱাকাটী আৰু টিপচীচৰাই আছিল। নিতৌ দুয়ো লগ হৈ ফুৰালে। এদিন দুয়ো

একেলগে এজোপা গছৰ ডালত বহি আছিল। এনেতে দেখিলে যে এজনী বুঢ়ীয়ে ধান সিজাই চোতালত মেলি দিছে। টোঁৱাকাউৰীয়ে টিপচীক ক'লে, "সখি সখি, চোৱাচোন সেই বুঢ়ীজনীয়ে সিজোৱা ধান ৰ'দত মেলি দিছে, এথাপ মাৰি আনি আনোহঁক আহাঁ।" টিপচীয়েও—"এৰা আনোহঁক আহাঁ" বুলি মাত দিলত টোঁৱাকাউৰীয়ে ক'লে, "কিন্তু সখি এটা কথা, মই ঠোঁটত যিমান ধান আনিম তুমিও যদি সিমান আনিব নোৱাৰা তেনেহলে মই তোমাক খাম। আৰু তুমি যিমান আনিবা মরো যদি সিমান আনিব নোৱাৰো তেনে তুমি মোক খাবা।" টোঁৱাকাউৰীৰ কথা শুনি টিপচীয়ে ভাবিলে—"মইতো তাতকৈ বেছি ধান একে থাপতে আনিব নোৱাৰিমেই ; সেইদেখি বুজিছোঁ সি মোক খাবলৈ বুধি পাতিছে। বাৰু দেখাই যাওকচোন সি মোক কেনেকৈ খায়।" ইয়াকে ভাবি টিপচীয়ে উত্তৰ দিলে—"বাৰু সখি সেয়ে হওক।" টোঁৱাকাউৰীয়ে কলে, "তেন্তে তুমি আগেয়ে থাপ মাৰি আনা" টিপচীয়ে উত্তৰ দিলে, "নহয় সখি তুমি আগেয়ে আনা।" কাউৰীয়ে ক'লে—"তুমিহে আগ হব লাগে, মই তোমাৰ পিচতহে।" এই কথা শুনি টিপচীয়ে তাৰ এখুদমান ঠোঁটেৰে থাপমাৰি এঠোঁট ধান আনিলে ; কিন্তু সি নিচেই তাকৰ। তাৰ পিচত টোঁৱাকাউৰীয়ে থাপমাৰি ইমান ধান আনিলে যে টিপচীয়ে অনা ধানতকৈ সি অনেক গুণে সৰহ। টোঁৱাকাউৰীয়ে ধান আনিয়েই মাত লগালে—"সখি মই এতিয়া তোমাক খাব পাওঁ।" টিপচীয়ে উত্তৰ দিলে—"নিশ্চয় পোৱা, সেইদেখি তুমি মোক খাবা কিন্তু তাৰ আগেয়ে তুমি মোৰ এটা কথা ৰাখিব লাগিব,—তুমি সততে মৰা শ খাই ফুৰা, সেইবাবে তোমাৰ ঠোঁটটোত ৰব বেয়া গোন্ধ ; তুমি অনুগ্ৰহ কৰি তোমাৰ ঠোঁটটো সাগৰৰ পানীত ধুই মোক খোৱা।" টোঁৱাকাউৰীয়ে—"বাৰু সখি, তোমাৰ কথা ৰাখিম ; মই এতিয়াই মোৰ ঠোঁটটো সাগৰৰ পানীত ধুই আহোঁগৈ" বুলি কৈ উৰি গৈ সাগৰৰ কাষ পাই সাগৰক মাতিলে—"সাগৰ ককাই অ' সাগৰ ককাই।" সাগৰে উত্তৰ দিলে—"কি কৈছে ?" টোঁৱাকাউৰীয়ে কলে—

"দে পানী পখালো ঠোঁট।
ভোজন কৰো টিপচী গোট॥"

সাগৰে উত্তৰ দিলে, "কিহতকৈ দিম ? যদি কিবা এটা পাত্ৰ দিব পাৰা তেন্তে দিব পাৰো।"

সাগৰৰ কথা শুনি কাউৰীয়ে টেকেলি এটা বিচাৰি কুমাৰৰ ঘৰলৈ গ'ল। কুমাৰক কাউৰীয়ে মাত লগালে—"কুমাৰ ককাই, কুমাৰ ককাই, ঘৰত আছেনে ?" কুমাৰে উত্তৰ দিলে—"আছোঁ, কিবা কৈছে ?" কাউৰীয়ে কলে—

"দে টেকেলি, তোলো পানী, পখালো ঠোঁট।
ভোজন কৰোঁ টিপচীগোট॥"

কুমাৰে কলে—"মোৰ ঘৰত গঢ়া টেকেলি নাই। যদি অলপমান মাটি আনি দিব পাৰা, তেন্তে মই টেকেলি এটা গঢ়ি দিব পাৰোঁ।"

কুমাৰৰ কথা শুনি কাউৰীয়ে মাটিৰ ওচৰলৈ গৈ মাটিক কলে—

"দে মাটি, দিওঁ কুমাৰক, গঢ়ক টেকেলি,
তোলো পানী, পখালো ঠোঁট।
ভোজন কৰোঁ টিপচীগোট॥"

মাটিয়ে উত্তৰ দিলে, "মই নিজে কেনেকৈ দিম ? যদি কিবা উপায়েৰে খান্দি নিব পাৰা নিয়া।"

মাটিৰ সমিধান পাই কাউৰীয়ে ম'হৰ ওচৰ পালেগৈ। সি ম'হক মাত লগালে,—

"দে শিং খান্দো মাটি।
দিওঁ কুমাৰক, গঢ়ক ঘটি॥
তোলোঁ পানী, পখালোঁ ঠোঁট।
ভোজন কৰোঁ টিপচীগোট॥"

ম'হে উত্তৰ দিলে, "মই নিজে মোৰ শিং কেনেকৈ দিম ? যদি কিবা উপায়ে নিব পাৰা নিয়া।"

ম'হৰ কথা শুনি কাউৰীয়ে গৈ কুকুৰৰ ওচৰ পাই কুকুৰক ক'লে—

"মাৰ ম'হ নিওঁ শিং, খান্দো মাটি,
দিওঁ কুমাৰক গঢ়ক ঘটি।
তোলোঁ পানী, পখালোঁ ঠোঁট।
ভোজন কৰোঁ টিপচীগোট॥"

কুকুৰে উত্তৰ দিলে, "আজি ভালেমান দিন মই গাখীৰ খাবলৈ পোৱা নাই, সেইদেখি মোৰ গাৰ বল কমি গৈছে। তুমি যদি মোক গাখীৰ খুৱাব পাৰা, তেন্তে মই ম'হ মাৰি দিব পাৰোঁ।"

এই কথা শুনি কাউৰীয়ে গাইৰ ওচৰলৈ গৈ গাইক ক'লে—

"দে গাখীৰ, খুৱাওঁ কুকুৰক,
মাৰক বল, মাৰক ম'হ।
নিওঁ শিং, খান্দো মাটি।
দিওঁ কুমাৰক, গঢ়ক ঘটি॥
তোলোঁ পানী, পখালোঁ ঠোঁট।
ভোজন কৰোঁ টিপচীগোট॥"

পাৰে উত্তৰ দিলে, "মই বুঢ়ী হৈছোঁ ; ভালেমান দিন ভালকৈ ঘাঁহ খাবলৈ পোৱা নাই। তুমি যদি মোক ভালকৈ এসোপা ঘাঁহ খাবলৈ আনি দিব পাৰা, তেন্তে মই তোমাক বিমান গাখীৰ লাগে সিমান দিম।"

গাইৰ উত্তৰ শুনি কাউৰীয়ে ঘাঁহৰ ওচৰলৈ গৈ ঘাঁহক ক'লে—

"দে ঘাঁহ, খুৱাওঁ গাইক, ওলাওক গাখীৰ,
খুৱাওঁ কুকুৰক, বান্ধক বল, মাৰক ম'হ,
নিওঁ শিং, খান্দো মাটি।
দিওঁ কুমাৰক, গঢ়ক ঘটি॥
তোলোঁ পানী, পখালোঁ ঠোঁট।
ভোজন কৰোঁ টিপচীগোট॥"

ঘাঁহে উত্তৰ দিলে, "মই কেনেকৈ ঘাঁহ দিম? যদি কাটি নিব পাৰা নিয়াঁ।"

ঘাঁহৰ কথা শুনি কাউৰী কমাৰৰ ঘৰ পালেগৈ। বাহিৰৰপৰা কাউৰীয়ে কমাৰক মাত লগালে, "কমাৰ কাই, কমাৰ কাই, ঘৰত আছে নে?" কমাৰে উত্তৰ দিলে, "আছোঁ কাউৰী ভাই, কি সকামত বা আহিলা?" কাউৰীয়ে উত্তৰ দিলে—

"দে খন্তি, কাটো ঘাঁহ, খুৱাওঁ গৰুক,
ওলাওক গাখীৰ, খুৱাওঁ কুকুৰক, বান্ধক বল,
মাৰক ম'হ।

নিওঁ শিং, খান্দো মাটি।
দিওঁ কুমাৰক গঢ়ক ঘটি॥
তোলোঁ পানী, পখালোঁ ঠোঁট।
ভোজন কৰোঁ টিপচীগোট॥"

কমাৰে ক'লে, "মোৰ জুইকুৰা নুমাই গ'ল ; যদি মোক জুই অলপ আনি দিব পাৰা তেন্তে মই এতিয়াই খন্তি এখন গঢ়ি দিব পাৰোঁ।"

কাউৰীয়ে কমাৰৰ কথা শুনি চাৰিওফালে চাই দেখিলে যে সাগৰৰ সিপাৰে এঠাইত জুইৰ ধোঁৱা ওলাইছে। দেখিয়েই সি উৰি গৈ সিপাৰ পাই এজনী বুঢ়ীয়ে ধান সিজাই থকা দেখিলে। বুঢ়ীৰ ওচৰ চাপি কাউৰীয়ে ক'লে, "আই, মোক অলপ জুই দিব পাৰা নে?" বুঢ়ীয়ে উত্তৰ দিলে, "কিহত্ৰকৈ দিম?" কাউৰীয়ে ক'লে, "মোৰ ঠোঁকাৰ ভিতৰতে বান্ধি দিয়া।" বুঢ়ীয়ে তাকে কৰিলে। কঁউৰীয়ে জুইৰ আঙঠাৰ টোপোলাটো ঠোকাত বান্ধি লৈ সাগৰৰ ওপৰেদি উৰি আহি থাকোঁতে তাত বতাহ লাগি জ্বলি উঠি ঠোকা পুৰি প'লত, সি মাজ সাগৰত পৰি বুৰি মৰিল। ইফালে টিপচীচৰায়ে মনে মনে কাউৰীৰ পিছে পিছে আহি আগৰেপৰা গুৰিলৈকে এটাইবোৰ লক্ষ্য কৰি আছিল। শেষত কাউৰীৰ এনে মৃত্যু দেখি সি সন্তোষ পাই এজোপা গছৰ ডালৰ পৰা উৰি আন এজোপা গছৰ ডালত পৰিলগৈ আৰু মোৰ কাপোৰ-কানি ক'লা হ'লত, ময়ো গুচি আহিলোঁ।

ঢেঁকিয়াই মেলিলে ঠোৰ।
মোৰ কথাৰ পৰিল ওৰ॥
তামোলে মেলিলে ডাৰি।
কোন কলৈ যাবি॥
ক'লা মেকুৰীৰ বগা কাণ।
ডাকি বোলা ৰাম ৰাম॥

এজনী মালিনী আৰু এজোপা ফুল

এক মালিনী আছিল, তাই বৰ যতনকৈ এজোপা ফুলগছ ৰুইছিল। তাই সেই ফুলগছজোপা দিনো ইমান পতি কৰে, তথাপি তাত ফুল নুফুলে। সেই-দেখি এদিন তাই ফুলগছজোপাক সুধিলে—

"অ' গছ, অ' গছ, ফুল নুফুল কিয়?" গছে উত্তৰ দিলে—"মই যে ফুলিব লাগে, গৰুৱেনো মোৰ আগ খায় কিয়?"

তেতিয়া মালিনীয়ে গৰুৰ ওচৰলৈ গৈ গৰুক সুধিলে—

"অ গৰু, অ' গৰু, ফুলগছৰ আগ খাৱ কিয়?"
গৰু—"গৰখীয়াই যে গৰু নাৰাখে,
মই বা নাখাম কিয়?"
মালিনী—"অ' গৰখীয়া, অ' গৰখীয়া,
গৰু নাৰাখ কিয়?"
গৰখীয়া—"বান্ধনীয়ে যে ভাত নিদিয়ে,
মই বা ৰাখিম কিয়?"
মালিনী—"অ' বান্ধনী, অ' বান্ধনী,
ভাত নিদিয় কিয়?"
বান্ধনী—"খৰীয়াই যে খৰি নিদিয়ে,
মই নো দিম কিয়?"
মালিনী—"অ' খৰীয়া, অ' খৰীয়া,
খৰি নিদিয় কিয়?"
খৰীয়া—"কমাৰে যে কুঠাৰ নিদিয়ে,
মই নো দিম কিয়?"
মালিনী—"অ' কমাৰ, অ' কমাৰ,
কুঠাৰ নিদিয় কিয়?"
কমাৰ—"এঙাৰীয়াই যে এঙাৰ নিদিয়ে,
মইনো দিম কিয়?"

মালিনী—"অ' এণ্ডাৰীয়া, অ' এণ্ডাৰীয়া,
এণ্ডাৰ নিদিয় কিয় ?"
এণ্ডাৰীয়া —"মই যে এণ্ডাৰ দিব লাগে,
মেঘে নো বৰষে কিয় ?"
মালিনী—"অ' মেঘ, অ' মেঘ, বৰষুণ দিয় কিয় ?"
মেঘ—"ভেকুলীয়ে যে টোৰ্টোৰায়
মই বা নিদিম কিয় ?"
মালিনী—"অ' ভেকুলি, অ' ভেকুলি,
টোৰ্টোৰাব কিয় ?"
ভেকুলি—"ৰপা-ককাৰ বীতিটো মই
এৰিম বা কিয় ?"

———

বুধিয়ক শিয়াল

এদিন এটা শিয়ালে ভোকত কিবা খাবলৈ বিচাৰি এখন গাঁৱত মানুহৰ বাৰীয়ে ঘৰে লুংলুঙাই ফুৰিছিল। এনেতে সি এঘৰৰ ভঁড়ালৰ চাঙত তলি-ফুটা ভগা দোণ এটাত লখিমীলৈ দিয়া পিঠা কিছু-মান পালেগৈ। সি টেমাক-টেমাককৈ অকতিয়াই-পকতিয়াই পিঠাবোৰ খাই শেষ কৰি, ভগা দোণটোৰ ফটা তলিখন ঢাকি দিয়া কলাপাতখন মূৰ জোকাৰি চেলেকিবলৈ ধৰিলে। সি মূৰপুতি চেলেকোঁতে চেলেকোঁতে কলাপাতখন ফাটি ভগা দোণটো তাৰ মূৰেদি সোমাই ডিঙিত গল-মণি হৈ পৰিল। কোনো প্ৰকাৰে শিয়ালটোৱে দোণটো ডিঙিৰপৰা গুচাব নোৱাৰিলে। শেষত এনে হ'ল, যে সি হাঁহ ছাগলী এটাও ধৰিব নোৱাৰা হল; কাৰণ, ডিঙিৰ ভগা দোণটোৱে লটংপটংকৈ সি হাবিৰপৰা বাহিৰলৈ ওলালেই মানুহে হৈ দিয়বলৈ ধৰে আৰু নিলগতে তাক দেখিলেই সকলোৱে "ধৰ গলমণিকাক" বুলি বুলি শিগুপাল খেদা দিয়ে।

এদিন শিয়ালটোৱে হাবিয়ে হাবিয়ে অনাই-বনাই ফুৰোঁতে এঠাইত এহাল বাঘ-পোৱালি লগ পাই দেখিলে যে সিহঁতৰ আগত কিছুমান মঙহ আছে। ততালিকে শিয়ালটোৱে সেই মঙহকে খাবলৈ বুধি সাজি নিলগৰ পৰা ধৰপোচ কৰি দোণটো জোকাৰি মাত লগালে—"হেৰ তহঁতৰ বাঘ-বাপেৰ ক'লৈ গ'ল অ'? মই অহাৰ গম পায়েই পলাইছে হবলা ? সিহঁত ক'ত আছে ক ?" শিয়ালটোৰ গেবেহাগেবেহ কথা শুনি বাঘপোৱালি দুটাই ভয়ত কোঁচ্‌মোচ্‌ খাই কোমল মাতেৰে উত্তৰ দিলে, "আমাৰ মাই-বোপাই দুয়ো চিকাৰলৈ গৈছে।" শিয়ালে ক'লে,—"বাক গৈছে গৈছে, আহি পালেই মই আহিছিলোঁ বুলি কবিহঁক। চাচোঁন তহঁতৰ বাপেৰে তাহানি এইটো দোণেৰে মোৰ এদোণ ধন ধাৰে আনিলে, আজিলৈকে সি মোক সেই ধন ওভোতাই দিয়া নাই। মই আজি সৰহপৰ বব নোৱাৰোঁ, সি আহিলেই তহঁতে তাক এই কথা কবি। মোৰ ভোক লাগিছে, হেৰ কিবা আছে যদি চাচোঁন খাই যাওঁ।" শিয়ালে এই বুলি পোৱালিহঁতে মাক-বাপেকে থৈ যোৱা মঙহখিনি খাই নিজৰ পেট পূৰাই গুচি গ'ল।

নিতৌ বাঘ আৰু বাঘিনী চিকাৰলৈ গলেই শিয়ালে আহি পোৱালি কেটাক ভাবুকি দি টিপতে সিহঁতৰ ভাগৰ মঙহখিনি খাই গুচি যায়। এইদৰে ভালেমান দিন যোৱাৰ পিছত পোৱালিকিটা শুকাই গৈ চেৰেলা হোৱা দেখি বাঘিনীয়ে কথাটো টং কৰি চালে—"ইহঁত কিয় এনেকুৱা হৈছে ? আমি ইহঁ-তলৈ থৈ যোৱা মঙহ আমি ওলাই গলে কোনোবাই ইহঁতক ফাঁকি দি খায় নে কি ?" বাঘিনীয়ে এইদৰে ভাবি গিৰিয়েকক কলে, "শুনিছা নে বোলোঁ আজি তুমি পছ মাৰিবলৈ যাব নেলাগে, মষে অকলে যাওঁ। আমি নথকাত ইয়ালৈ কোনোবা আহে নে নাহে চাবলগীয়া হৈছে। আজি তুমি লুকাই চাই থাকা।" এইবুলি সেইদিনা বাঘক থৈ বাঘিনী অকলে চিকাৰ কৰিবলৈ গ'ল।

আন দিনাৰ দৰে সেইদিনাও বাঘপোৱালিৰ আগত ভগা দোণ জোকাৰি কাং-কাং-কোং-কোংকৈ মঙহ খাবলৈ কাবৰাব কৰোঁতেই, নিলগত লুকাই থকা বাঘে শিয়ালৰ কাণ্ড দেখি সকলো বুজিব পাৰি হাউসি মাৰি শিয়ালক খেদা মাৰি দিলে। টেঙৰ শিয়ালে, কেতিয়াবা এনেকৈ সি ধৰা পৰিলে কি কৰিব সেই বুধি আগৰে পৰা আলচি ঠিক কৰি থৈছিল; সেইদেখি সি আগে আগে লৰি গৈ দুকেৰেঙণীয়া গছ এজোপাৰ কেৰেপৰ মাজেদি সৰকি লৰ মাৰিলে। বাঘো কোঙেৰে সেই কেৰেপৰ মাজেদি সৰকি যাব খোজোঁতেই কেৰেপত চেপা খাই থাকিল। বাঘে কেৰেপৰ পৰা ওলাবলৈ বিমানকৈ চাটিফুটি ধৰ-ফৰ ধৰ-ফৰ কৰিবলৈ ধৰিলে, সিমান টানকৈ তাত সি থাজ খাই চেপা খালে। বাঘৰ চিঞৰত হাবি তল-ওপৰ লাগি পৰিল। ম'হ, গৰু, পহু আদি জন্তবোৰ চাৰিওফালে ফিৰিঙতি ভগাদি ভাগিল। বাঘৰ চিঞৰ শুনি বাঘিনীয়েও লৰি আহি সেইখিনি পালেহি। শিয়াল অলপ দূৰতে থিয় হৈ আছিল; সি বাঘিনীক দেখি কবলৈ ধৰিলে—"চাচোন, তোৰ গিৰিয়েৰক কেনে শাস্তি দিলোঁ। লোকৰ ধন খাবলৈ আদি ভজিবৰ মন সোমাইছিল; এতিয়া কেনে পালি ? জোকো মাৰিম বাপেৰে। তই তালে তালে দিয় যদি মোৰ ধন দে। ধন নাই যদি মোৰ ভনজীয়া হৈ থাক, হাক নাকান মাদি ফুৰ।

নহলে তোৰো ৰক্ষা নাই, নিশ্চয় জানিবি। তোৰ পোৱালি কেইটাকো আজৰি কৰিহে এৰিম।"

এনেতে বাঘটো ধৰফৰাই মৰিলেই। বাঘিনীয়ে একো উপায় নেপাই শিয়ালৰ অধীন হ'ল। সেই দিনাৰ পৰা শিয়ালে মুকলিমূৰীয়াকৈ নির্ভয়ে পৰৰ মূৰত খাবলৈ ধৰিলে। সি বাঘিনীক চিকাৰলৈ পঠিয়াই আৰু ঠেঙৰ ওপৰত ঠেং তুলি দকচি খায়।

ইয়াৰ কিছুমান দিনৰ পিচত বাঘিনীৰ চোং সজাৰৰ হ'ল। বাঘিনীয়ে পোৱালি দুটাক লগত লৈ নৈ এখন পাৰ হৈ আন এখন হাবিলৈ যাবলৈ কাৰবাৰ কৰিছে; শিয়ালো ওলাল। বাঘিনী আৰু পোৱালি দুটা নৈত সাঁতুৰি পাৰ হৈছে, শিয়ালেও নিজৰ মান ৰাখিবৰ নিমিত্তে মৰো জীওঁ-লো-আধিকৈ পানীত পৰিল। নৈৰ সোঁতত পৰি শিয়ালে ধৰফুণ্ডতি এৰি চলংভটং কৰি ককৰকাই উটি যোৱা দেখি বাঘিনীয়ে তাক খাপমাৰি ধৰি লৈ গ'ল। শিয়ালে বামলৈ উঠিয়েই বাঘিনীক ভেকাহি মাৰি ক'লে, "তই মোক কেলৈ তুলি আনিলি ঐ? তোক কোনে মোক তুলিবলৈ মাতিছিল? তইঁত তিৰোতাবোৰৰ যদি অকণো বুধি আছে। বোলো, মোক জলকোঁৱৰে ইয়াৰে চাইদোণ ধন দিব লাগে; সি মোক দেখিলে সদায় পলায়। আজি সি বুঢ়াৰ হাতত চেঙেলী পৰিছিল, তাক দেখা পায়েই তালকৈ ধৰিছিলোঁ, বোলো আজি মোৰ ধনবোৰ তাৰপৰা নুলিয়াই নেৰোঁ। সেইদেখি তাৰে সৈতে মোৰ খোঁচাপুচি লাগিছিল। তই সকলোবোৰ নষ্ট কৰিলি। ও হয়। তইনো কিয় আগ ভেটা কৰিছিলি কচোন?"

এইদৰে ছল বুধি কৰি শিয়ালে নিজৰ মান ৰাখি আকৌ বাঘিনীৰ লগতে ঠাই ললে। বাঘপোৱালি দুটা লাহে লাহে জনা বুজা হৈ উঠিল। চিকাৰলৈ যাবলৈ সিহঁতে মাক আৰু শিয়ালেৰে সৈতে পাল বান্ধি ললে। শিয়ালৰ পালৰ দিনা শিয়ালে সিহঁতক নানা ছলাহী কথা কৈ গা সাৰে। এদিন শিয়ালে এবাৰ নোৱাৰি বাঘিনীৰে সৈতে পহু ধৰিবলৈ ওলাল। শিয়ালে বাঘিনীক ক'লে, "মই পহৰ পটিৰ মূৰতে থাকোঁ; তই সেই ফাললৈ গৈ পহু খেদি দেগৈ; পহু মোৰ ওচৰলৈ আহিলেই আৰু ক'ত সাৰিব?" শিয়ালৰ কথা মতে বাঘিনীয়ে পহু খেদি দিলে, কিন্তু শিয়াল পটিৰ মূৰত বোৱাং জুৰি পৰি থাকোঁতেই পহুৱে শিয়ালৰ পেটৰ ওপৰেদি লৰ মাৰিলে। গচকত শিয়ালৰ পেটৰ ছাল ছিগি গ'ল। পহু পলোৱাৰ পিছত বাঘিনী শিয়ালৰ ওচৰলৈ আহিলত, শিয়ালে আইৰ গেঁথাই গেঁথাই ক'লে, "শুনিছ নে হৰ, শুনিছ? পহুটো এই ফালে আহিলত মোৰ এনে হাঁহিটো উঠিল যে পহু ধৰা দূৰত থাকক মই মোৰ হাঁহিটোকে ৰখাব নোৱাৰিলোঁ। ইমান সৰু পহুটো মই হেন বীৰক ধৰিবলৈ দিয়া হাঁহিত মোৰ পেট ফুটি পেটু-নাড়ী ছিগি ওলাই যাব লগীয়া হৈছিল।"

এইবাৰো শিয়ালে বুধিৰে জিকি আকৌ কিছুমান দিন বাঘিনীৰ লগতে ৰহি থাকিবলৈ পালে। এইদৰে কিছুমান দিন থাকোঁতে বাঘপোৱালি দুটাই লাহে লাহে শিয়ালৰ টেঙৰালি বুজিব পাৰি তাক ধৰা পেলাবলৈ চাপিলে। এদিন ৰাতি নিলগত আন শিয়ালে হোৱা দিয়া শুনি এই দোণ পিন্ধা শিয়ালটোৱেও লোভ সামৰিব নোৱাৰি হোৱা দিবৰ মনেৰে বাঘৰ ওচৰৰ পৰা আঁতৰি যোৱাত, বাঘপোৱালি দুটায়ো তাৰ আঁতি-গুৰি লবলৈ সি নেদেখাকৈ মনে মনে তাৰ পিচে পিচে গৈছিল আৰু যেতিয়া সি আঁতৰ হৈ নিশ্চিন্ত মনে হোৱা দিলে, সিহঁতে তাক ধূৰ্ত্ত শিয়াল বুলি মনত খুকুৰি নথকাকৈ জানিব পাৰি একে চোচাই খেদি নি ধৰি থেকেচি মাৰি পেলালে।

বাঘ আৰু কেঁকোৰাৰ সাধু

অতি পুৰণি কালত এঠাইত এটা বাঘ আছিল। সি চোং সলাই আন এখন চোঙলৈ যাওঁতেই বাটতে এটা কেঁকোৰাৰে সৈতে তাৰ দেখা-শুনা হ'ল। কেঁকোৰাটোৱে বাঘক দেখি খিচিকিয়া হাঁহি মাৰি মাত লগালে—"ককাই কলৈ যোৱাঁ?" বাঘে কেঁকো-ৰাৰ হাঁহি মুখ দেখি ভাল পাই উত্তৰ দিলে—"মই চোং সলাই আন এখন হাবিলৈ যাওঁ। তুমি নো কলৈ যোৱাঁ?" কেঁকোৰাই ক'লে, "মই কলৈকো নাযাওঁ, মোৰ এই ওচৰতে ঘৰ। মই অকলশৰীয়া জীৱ, মোৰ আগলৈকো চাবলৈ নাই, পিচলৈকো চাবলৈ নাই।" বাঘেও ক'লে,—"মোৰো সেয়ে কথা, ময়ো অকশৰীয়া নিৰাশ্ৰয় প্ৰাণী; মোৰো কেও কিছু নাই।" এইদৰে দুয়ো আলাপ কৰি দুয়ো দুয়োৰো ওপৰত ইমান সন্তুষ্ট হ'ল যে শেহত দুয়ো সখি পতাই সেই হাবিতে ওচৰা-ওচৰি কৰি থাকিল।

এইদৰে বহু কাল দুয়ো মিলাপ্ৰীতিৰে আছিল। বাঘে পহু মাৰি আনে, দুয়ো ভগাই মহাসুখেৰে খাইমেলি থাকে। কেঁকোৰা বাঘৰ সখিয়েক দেখি আন হিংস্ৰক জন্তুৱেও কেঁকোৰাৰ কোনো অপকাৰ কৰিবলৈ সাহ নকৰে। এদিন কেঁকোৰাই বাঘক ক'লে, "সখি, মঙহ খাই খাই আৰু আমুৱালে; তোমাৰ আগত গঁজ কথা কবলৈ কি, মঙহ খাই মই লাহে লাহে পেটকণীয়া হৈছোঁগৈ। এতেকে আজি বাজে মাজে শিয়ালনীৰ [illegible] দিয়া [illegible] কেনে?

আমি খেতি কৰো আহাঁ।" বাঘে উত্তৰ দিলে, "খেতি কৰাটোনো কি টান কথা? তুমি ভাল দেখা যদি কৰোহঁক আহাঁ।" এই বুলি বাঘে কেঁকোৰাৰ কথাত হয় দিলত কেঁকোৰাই কলে, "তেন্তে সখি তুমি গাঁৱলৈ গৈ ধানৰ পথাৰৰ কিছুমান কঠীয়া তুলি লৈ আহা। মই হাবিৰ মাজৰ এই মাটি ভোখৰকে চহাওঁ।" এই বুলি দুয়ো আলচ কৰি, কেঁকোৰাই মাটি খানিবলৈ লাগিল আৰু বাঘে লোকৰ পথাৰৰ পৰা মাণিকিমধুৰি ধানৰ কঠীয়া চুৰকৈ আনি সেই মাটিত ৰুবলৈ ধৰিলে।

কিছুমান দিনৰ ভিতৰতে সিহঁতৰ ধানে থোক মেলিলে। ধান দেখি সন্তোষ পাই কেঁকোৰাই বাঘক মাত লগালে—"ধান আনিবা আৰ্জ্জিলোঁ, কিন্তু তাৰ সাৰথি শাক-পাচলি নহলে কি হব? শুদা ভাত খামহঁক কেনেকৈ? এতেকে আমি শাক-পাচলিও আৰ্জ্জিব লগা হল। তুমি গাঁৱৰপৰা লাই, লফা, চুকা, পালেং, মেদেধু, খাৰৰিৰ পুলি কিছুমান লৈ আহাঁগৈ। বেঙেনাৰ পুলি গোটাচেৰেকো আনিবলৈ নাপাহৰিবা। মই শাকনিবাৰীৰ মাটি চহাওঁ।" এই বুলি বাঘক শাক-পুলি আনিবলৈ পাচি দি কেঁকোৰাই মাটি খান্দিবলৈ লাগিল। বাঘ দোখোজমান যোৱাৰ পিচতে কেঁকোৰাই আকৌ বিণ্ডিয়াই মাত লগালে—"সখি মই কবলৈ পাহৰিছিলোঁ, জলকীয়াৰ পুলি গোটাচেৰেকো আনিবা; টেঙা দিয়া শাকৰ আঞ্জাৰে ভাত খাবলৈ জলকীয়া নহলে জুতি নালাগিব।" বাঘে "হু" বুলি আনিবলৈ গাত লৈ দীঘল দীঘলকৈ জাঁপ মাৰি গাঁৱৰ ফালে যাবলৈ ধৰিলে।

এইদৰে খেতি-বাতি কৰি দুয়ো ৰহি আছে। মাহে মাহে আঘোণ মাহ পালেহি। ধান পকিবলৈ আৰম্ভ হৈছে, দাবৰ আয়োজন কৰি কেঁকোৰাই বাঘক সুধিলে "সখি মই আগ নিম।" এই বুলি কেঁকোৰাই ধানৰ আগ অৰ্থাৎ গুটি নিলে আৰু বাঘে গুৰি অৰ্থাৎ নৰা নিলে। তাৰ পিচত বেঙেনা ছিঙিবৰ হল। বাঘে কেঁকোৰাক সুধিলে, "সখি তুমি গুটি নিবা নে গছ নিবা?" কেঁকোৰাই গুটি নিম বুলি বেঙেনাৰ গুটি নিলে, বাঘে গছ নিলে। এইদৰে খেতি সামৰি থঁতাই এদিন বাঘে ন-খোৱা পাতি কেঁকোৰাক নিমন্ত্ৰণ কৰিলে। ইফালে বাঘে ধানৰ গুৰি বাহিছে, বেঙেনা গছৰ শাক ৰান্ধিছে, ৰান্ধি কেঁকোৰাক খাবলৈ দিছে। কেঁকোৰাই সেইবোৰ কি খাব, অলপ চুই গুচি আহিল। সি যি হওক ইয়াৰ পিচতো কেঁকোৰাই সদায় তিনি-তেলনি মাৰি বাঘৰ ঘৰত বহুতৰ আঞ্জাৰে ভাত খায়, কিন্তু এদিনো বাঘক তাৰ নিজৰ ঘৰলৈ খাবলৈ নামাতে। বাঘে এই কথা টিং কৰি এদিন কেঁকোৰাক কলে, "সখি তুমি এদিনো মোক তোমাৰ ঘৰত খাবলৈ মতা নাই। এদিন ন-খোৱা পাতি মোক মাতা, তোমাৰ ঘৰৰ নো কেনে ৰন্ধা-বঢ়া হয়, মোৰ খাই চাবৰ মন গৈছে।" কেঁকোৰাই উত্তৰ দিলে, "সখি, তোমাক মোৰ ঘৰত খাবলৈ কিয় নামাতিম? মই ন-খোৱা পাতি তোমাক মাতিম মাতিম বুলি সদায় পাতিয়েই আছোঁ, কিন্তু মোৰ ঘৰত ঠাই সঙ্কীৰ্ণ, তোমাক ক'ত বহুৱাম, ক'ত শুৱাম, বুলি হে খেবো-গেবোকৈ আছোঁ, সেইদেখি সেই কাম হৈ উঠা নাই। যি হওক তুমি আহকাল মাপালে কাইলৈ ৰাতিপুৱাৰ সাজ ভাতকে মোৰ ঘৰত খাবাগৈ। কি বোলা সখি? ন-খোৱা নামত হে। দুখীয়াৰ ঘৰত কাইলৈ ভৰিৰ ধূলি পেলাই শাকে-খাৰে এগাল খাই আহিবাগৈ মাখোন।" বাঘে উত্তৰ দিলে—"নিশ্চয়, কাইলৈ তোমাৰ ঘৰত ন-খাবলৈ যাম।"

পিচদিনা পুৱা কেঁকোৰাই ন-খোৱা পাতি, মাণিকিমধুৰি জহা-চাউলৰ ভাত ৰান্ধিলে, বেঙেনাৰ খাৰ ৰান্ধিলে। বাঘে কেকোৰাৰ ঘৰত ন-খাবলৈ আহিল। কেকোৰাই বাঘক কলে, "সখি তুমি মোৰ গাতৰ ওচৰতে বহা, মই ভাত-আঞ্জা উলিয়াই দি থাকো, তুমি খাই থাকা; তুমিতো আৰু মোৰ গাতৰ ভিতৰলৈ সোমাব নোৱাৰা।" এই বুলি কেঁকোৰাই ভাত-আঞ্জা গাঁতৰ মুখলৈ উলিয়াই দিবলৈ ধৰিলে, আৰু বাঘে সালোঁপ-সালোপ কৰে খাবলৈ ধৰিলে। কেঁকোৰাৰ ভাতৰ চৰু সৰু, ভাত যি ৰন্ধা হৈছিল তাক দুমোকোৰাতে বাঘে ওৰ পেলালে; গতিকে কেঁকোৰাৰ ভয় হল—সি ভাবিলে, "বাঘৰ আশয় পাৰলৈ নাই। খাবলৈ যদি তাৰ পেট নভৰিলে, মোৰ প্ৰতি তাৰ বন্ধুতা-ফন্দুতা লোপাই কৰবালৈ যাব আৰু তাৰ খং উঠি সি মোক খাই পেলাব। এতেকে এটা যুক্তি কৰি ইয়াৰ হাতৰ পৰা সাৰিব লাগিব।" ইয়াকে মনত পাঙি সি বাঘক কলে, "সখি, বাবে বাবে মই তোমালৈ ভাত কাঢ়িয়াই মোৰ ককালৰ বিষে ধৰিছে, আৰু উঠিবই নোৱাৰোঁ। তুমি তোমাৰ নেজডাল মোৰ গাঁতৰ ভিতৰলৈ সুমাই দিয়া, তাতে মই ভাত-আঞ্জা বাটিয়ে বাটিয়ে বান্ধি দিওঁ, তুমি দি দি খাই থাকা।" কেঁকোৰাৰ টেঙালি কথাৰ আচল মানে বুজিব নোৱাৰি বাঘে তাৰ নেজডাল গাঁতত সুমাই দিলতে, কেকোৰাই ভিতৰৰ পৰা সেইডাল চেপি ধৰিলে। বাঘে দুখ পাই টানেহে টানে, নেজডাল নোলায়, আৰু আত কেকোৰাৰ চেপা টানহে হয়। বাঘে যন্ত্ৰণাত জংমং এৰি চিঞৰত গগণ ফালিবলৈ ধৰিলে, তথাপি কেঁকোৰাই এৰি নিদিয়ে। দৈৱযোগত কেতিয়া ওচৰতে বাঁধী-কোঁৱৰ এটাই পথাৰত মাটি কুৰি আছিল। সি বাঘৰ চিঞৰ শুনি মাটি কুৰিবলৈ এৰি কোৰ লৈ পলাবলৈ ধৰোতে বাঘে দূৰৰপৰা তাক দেখি চিঞৰি কান্দি-কাটি কাকুতি কৰি কলে—"হে কমাই, এই দিনে আহা, মই

মৰিলো, কেঁকোৰাৰ চেপাৰ তাপত মোৰ প্ৰাণ যায়। মোৰ নেজডাল এৰুৱাই দিয়াহি ঐ।" বাঁৰীকোঁৱৰে উত্তৰ দিলে,—"মই নোৱাৰোঁ। বুজিছ নে? তই বাঘ, তোৰ বিশ্বাস নাই, এৰুৱাই দিলেই তই মোক খাই পেলাবি।" বাঘে কলে-"হে দেউতা আহাঁ ঐ! মই সত্য সত্য সত্য তিনি শইত খাই কৈছো, তোমাক নেখাওঁ। মোক এৰুৱাই দিয়া মোৰ দেউতা; তুমি যদি মোক এই বিপদৰ পৰা উদ্ধাৰ কৰা তেনেহলে মই শপত খাই কৈছো দিনৌ তোমাক একোটাকৈ পহু মাৰি আনি দিম।" এই কথা শুনি বাঁৰী-কোঁৱৰে বাঘৰ কথা পতিয়াই ওচৰ চাপি আহি কোৰখনেৰে চাং মাৰি দি বাঘৰ নেজডাল কাটি দিলত বাঘ ৰক্ষা পৰিল। বাঘে সেইখিনিৰ পৰা গুচি যাবৰ সময়ত বাঁৰী-কোঁৱৰক কাণে কাণে কৈ গল,—"তোমাক মই মোৰ কথামতে দিনৌ পহু একোটা দিম হয়, তুমি কিন্তু সেই কথা কাৰো আগত কব নোৱাৰা, কলেই তুমি ম'তে থাকা, তাৰেপৰা মই ততালিকে তোমাক লৈ গুচি যামহি।"

বাঘক উপকাৰ কৰা বাবে ইয়াৰ পিচৰপৰা বাঁৰী-কোঁৱৰে বাঘৰ পৰা দিনৌ একোটাকৈ পহু পাবলৈ ধৰিলে। এইদৰে ভালেমান দিন গল। এদিন বাঁৰী-কোঁৱৰৰ অলপ গা বেয়া হোৱা বাবে মাকে মঙলতী বুঢ়ী একজনী মাতি আনি মঙল চোৱালে। বুঢ়ীয়ে মঙল চাই কলে যে কিছুমান জাতি ভকভক পহুৰে ভোজ এটা খুৱালে বাঁৰী-কোঁৱৰৰ গা ভাল হব। এই কথা শুনি বাঁৰীয়ে পুতেকক ক'লত পুতেকে বাঘক ভোজলৈ দুটা পহু আনি দিবলৈ কলে। বাঘে ভোজৰ দিনা দুটা পহু মাৰি আনি বাঁৰী-কোঁৱৰক দি গল।

ভোজৰ দিনা সকলো জ্ঞাতি-কুটুম্বে বাঁৰী-কোঁৱৰৰ ঘৰত খাবলৈ বহিছে, এনেতে এখন পাত কম পৰাত এজনে কলপাত এখন কাটি আনিবৰ মনেৰে বাৰীৰ পাছফালে গৈ দেখিলে কিহবাৰ হাড়ে ভাত পৰ্ব্বতাকাৰ হৈ আছে। মানুহটোৱে হাড়বোৰ দেখি বিচুত্তি হৈ পাত নাকাটি উভতি গুচি আহি সকলোকে কলে,—"বাইজসকল, আমি ইয়াৰ ঘৰত ভোজ খাব নোৱাৰোঁ, ই কিবা খায়। আপোনাসকলে আহি চাওকচোন। ই ইমানবোৰ হাড় দ'ৰাই ঘৰলৈ ক'ত পালে?" এই বুলি ক'লত, সকলো ভোজৰ পাতৰপৰা হাত দাঙি উঠি আহি দেখিলে যে কথা সঁচা। তেতিয়া সকলোৱে বাঁৰী-কোঁৱৰক সুধিলে,—"এইবোৰ কিহৰ হাড়-মূৰ ক? নহলে আমি তোৰ ঘৰত ভোজ খাব নোৱাৰোঁ।" বাঁৰী-কোঁৱৰে কলে, "খাব-পোৱা জন্তুৰ বাহিৰে আন একোৰে হাড়-মূৰ নহয়। আপোনাসকলে বেয়া নাভাবি ভোজ-ভাত খাওক। মই কিন্তু কথাটোৰ আঁতি-গুৰি আপোনাসকলৰ আগত কব নোৱাৰোঁ; কাৰণ কলেই মোক বাঘে লৈ গুচি যাবহি। সেইবাবে আপোনাসকলে খুকুৰি নাৰাখি মোক ক্ষমা কৰি ভোজ-ভাত খাওক।" বাইজে তাৰ কথা শুনি নপতিয়াই তাক কলে—"আমি সকলোৱে যাঠি-জোং লৈ তোক বেঢ়ি থাকোঁ, তই ক; নহলে আমি নাখাওঁ।" বাইজৰ কথা শুনি বাঁৰী-কোঁৱৰে নিৰুপায় হৈ সকলোৰে মাজত আঠ লৈ কথাটো কবলৈ ধৰিলে, সকলোৱে যাঠি-জোং লৈ তাক বেঢ়ি বল। যেই কথাটো শেষ হল, বিধাশৰদে কৰবাৰ পৰা বাঘটো আহি মানুহৰ মাজৰপৰা তাক খাপ মাৰি ধৰি লৈ গুচি গল। ভোজ খাবলৈ অহা বাইজসকলে অলপমান বেলি ভেবা লাগি থাকি তাৰ পিচত ইফালে সিফালে বিচাৰি তাক নাপাই ঘৰাঘৰি গুচি গল।

ইপিনে বাঘে বাঁৰী-কোঁৱৰক নি এখন গেজেপনি হাবিত সোমালগৈ। কোঁৱৰৰ কিবা ভাগ্য ভাল আছিল, এনে সময়তে ভোকত তাৰ পেট কোৰকোৰাবলৈ ধৰিলে। বাঘে কোৰকোৰণি শুনি কোঁৱৰক সুধিলে—"তোৰ পেটত কিহে কোৰকোৰাইছে অ'?" কথাষাৰ শুনি বাঁৰী-কোঁৱৰৰ খপ্‌কৰে বুধি ওলাল, সি উত্তৰ দিলে—"আয়ে সৰুতে মোক ছবুৰি কেঁকোৰা খুৱাইছিল, তাৰে তিনি বুৰি আগেয়ে ওলাল, তিনি বুৰি বাকী আছিল, এতিয়া সেই তিনি বুৰিয়েই ওলাব খুজিছে।" বাঘে কেঁকোৰাৰ নাম শুনিয়েই ভাবিলে "সৰ্ব্বনাশ। এটা কেঁকোৰাই মোক চৈধ্য ভুবন দেখুৱাই থৈছে, এতিয়া যদি তিনি বুৰি কেঁকোৰা ওলাব লাগিল, তেনেহলে আমাৰ ফালে হৈছে আৰু।" বাঘে ইয়াকে ভাবি বাঁৰী-কোঁৱৰক তাতে এৰি থৈ লৰি পলাই গুচি গল।

বাঁৰী-কোঁৱৰ বাঘৰ হাতৰ পৰা এৰাই লাহে লাহে গৈ এখন নৈৰ পাৰত এজোপা গছৰ তল পালেগৈ। সি দেখিলে, গছজোপাৰ তলতে বনবীয়া ম'হৰ খুটি। ম'হবোৰ তেতিয়া তাত নাছিল দেখি কোঁৱৰে লৰালৰিকৈ তাত পৰি থকা গাখীৰৰ ফেনবোৰ খাই, খুটিখন ভালকৈ সাৰি মচি চাক-চিকণ কৰি থৈ ওচৰৰ গছজোপাত উঠি থাকিল :

এটাইবোৰ ম'হ চৰি গধূলি উভতি আহি, সিহঁতৰ খুটি সেইদিনা ধ'ভাই-পিটাই থোৱা দেখি আচৰিত হ'ল। সিহঁতে চাৰিওফালে চাই একো নেদেখি নিজৰ ভিতৰতে সেই কথা কোৱা-মেলা কৰি শুই থাকিল। পিচদিনা ৰাতিপুৱা আকৌ যেতিয়া ম'হবোৰ চৰিবলৈ গ'ল, বাঁৰী-কোঁৱৰে গছৰপৰা নামি আহিল। ম'হপোৱালিয়ে পিণ্ডতে সিহঁতৰ মখৰপৰা গাখীৰৰ যিবোৰ ফেন মাটিত পৰি আছিল সেইবোৰ সি খাই, আগৰ দিনাৰ দৰে খুটিখন ভালকৈ সাৰি,

গোবৰবোৰ পেলাই চাক-চিকণ কৰি গছৰ ওপৰত উঠি থাকিল। সেইদিনাও গধূলি ম'হবোৰ উভতি আহি খুটিখন চাক দেখি আচৰিত হল আৰু কোনে এই কাম কৰে, তাক ধৰিবৰ মনেৰে আলচ কৰি পিচদিনা বুঢ়া ম'হ এটাক ৰখীয়া পাতি থৈ চৰিবলৈ গগ। যাৱৰ সময়ত সিহঁতে বুঢ়া ম'হক কৈ গ'ল যে "তই ভালকৈ চাই থাকিবি, কোনে আহি আমাৰ খটিখন জঁতাই যায়হি, আমি তোলৈ ঘাঁহ পানী লৈ আহিম।" কিন্তু দুপৰীয়া ৰ'দত বুঢ়া ম'হটোৰ টোপনি আহি াত, ম'হটোৰ টোপনি অহা দেখি বাঁৰী-কোঁৱৰে সুত কৰে গছৰ ডালৰপৰা নামি আহি আগৰ দৰে ফেনবোৰ খাই খুটিখন জঁতাই গছৰ ওপৰত উঠি থাকিল, বুঢ়া ম'হে গমকে নাপালে।

গধূলি ম'হবোৰ আহি বুঢ়াক কি দেখিলে বুলি সুধিলত বুঢ়াই ক'লে—"মই একো নেদেখিলোঁ।" সিহঁতে বুঢ়াৰপৰা একো কাম নহয় জানি পিচদিনা কাণী ম'হ এজনীক ৰখীয়া পাতি থৈ গ'ল। কাণীয়ে ভাল চকুটো তলকালে আৰু কণা চকুটো ওপৰ ফালে কৰি শুই থাকোতেই সেইদিনাও বাঁৰী-কোঁৱৰে আগৰ দৰে সকলো কাম কৰি গছত উঠি বল, কাণীয়ে একো নেদেখিলে। গধূলি ম'হজাকে আহি কাণীক ৰখৱা সোধাত কাণীয়ে "একো নেদেখিলোঁ" বুলি কলত সিহঁতে বুজিব পাৰিলে যে কাণীয়ে কণা চকুটো ওপৰ ফালে দি শুই থকা বাবেহে একো নেদেখিলে। এই বাৰ সিহঁতে ঘাই ম'হজনীকে ৰখীয়া পাতি থৈ যাবলৈ ঠিক কৰি পিচদিনা তাকে কৰিলে। কিন্তু সেইদিনাও ঘাই ম'হজনীৰ চিলমিলকৈ অলপ টোপনি অহা দেখি বাঁৰী-কোঁৱৰে নামি আহি ফেন খাই খুটি জঁতাই লৰালৰিকৈ গছত উঠোতেই, ম'হজনীৰ টোপনি ভাগিলত, তাই তাক দেখি লৰ মাৰি আহি সুধিলে, "তই দেৱতা নে মানুহ কোন ক? আৰু দেৱতাই হ বা মানুহেই হ নামি আহ।" বাঁৰী-কোঁৱৰে—"মই দেৱতা নহওঁ, মানুহ হে; মই নামি যাব নোৱাৰোঁ, গলেই তই মোক খুচি মাৰিবি" বুলি কলে। ম'হজনীয়ে কলে—"নোখোচোঁ নামি আহ।" কোঁৱৰে কলে, "নহয় তই খুচিবি।" ইয়াৰ পিচত ম'হজনীয়ে তিনি শহত খাই নোখোঁচো বুলি ক'লত বাঁৰী-কোঁৱৰ গছৰ পৰা নামি আহি, আগৰ পৰা শুৰিলৈকে তাৰ সকলো কথা ম'হজনীক কলে। তাৰ কথা শুনি ম'হজনীৰ তাৰৈ মৰম লাগিল। তাই তাক কলে যে "তুমি আজিৰপৰা ইয়াতে নিৰ্ভয়ে থাকা, তোমাক আমি আমাৰ গৰাকী পাতিলোঁ আৰু তুমি গাখীৰ খাবলৈ সুকীয়াকৈ আমি তোমাক এজনী ম'হ দিম।" গধূলি আনবিলাক ম'হ আহিলত ঘাই ম'হজনীয়ে সকলোবিলাক কথা সিহঁতক ক'লত সিহঁতে বং পালে আৰু বাঁৰী-কোঁৱৰক নিজৰ গৰাকী বুলি মানি ললে। ইয়াৰ পিচত সিহঁতে কাণী ম'হজনী মাৰি তাইৰ শিং দুটা বাঁৰী-কোঁৱৰক দি কলে, "এই শিং দুটাৰ এটা খংশিঙা এটা বংশিঙা। আমি চৰিবলৈ গলে তুমি যদি বং শিঙাটো বজোৱা শুনো তেন্তে তুমি ভালে আছা বুলি জানি আমিও ৰঙেৰে চৰি ঘাঁহ খাই ফুৰিম; আৰু যদি তোমাৰ কোনো বিপদ ঘটে তেন্তে তুমি খংশিঙাটো বজাবা, তেতিয়া আমি তোমাক ৰাখিবলৈ লৰি তোমাৰ ওচৰ ওলামহি। তুমি আমাৰ খুটিখন যেনেকৈ জঁতাইছিলা সেইদৰে সদায় জঁতাই থাকিবা।"

এইদৰে ভালেমান দিন গল। এদিন বাঁৰী-কোঁৱৰে ডালত বহি মুৰ আঁচোৰোতে দৈবাৎ তেওঁৰ মূৰৰ দীঘল চুলি এডাল ছিগি নৈত পৰিল। সেই চুলিডাল এটা বাঘবৰালিয়ে খালে। এদিন এটা মাছলোৱাই জাল বাওঁতে সেই বাঘবৰালীটো তাৰ জালত পৰিলত, মাছটো ডাঙৰ আৰু তেলাল দেখি সি তাক লৈ গৈ ৰজাক ভেটিলে।

ৰজাৰ এটা দীপলিপ কন্যা আছিল। লিগিৰি-হঁতে মাছটো বাছোঁতে কন্যাজনী আগতে থিয় দি আছিল। ৰৰালিৰ পেটৰ পৰা ইমান দীঘল চুলি এডাল ওলোৱা দেখি কন্যাজনীয়ে সেই চুলিডাল যাৰ মূৰৰ তেওঁক মনে মনে স্বামী বৰি, সেইডাল লৈ এটা টেমাৰ ভিতৰত সুমাই থৈ, বে হযৰত সোমাল। কিন্তু জীয়েক বোহঘৰত সোমাল এই কথা ৰজাই সোধাত জীয়েকে কলে যে যদি এই চুলিডালৰ গিৰি-হঁতক আনি তেওঁৰ লগতে বিয়া দিয়ে তেহে তেওঁ বোহঘৰৰপৰা ওলাব নতুবা তেওঁ ভাত-পানী নাখাই মৰি যাব। ৰজাই এই কথা শুনি বিচুতি হ'ল—ক'ৰ মানুহে মুৰ আঁচুৰি নৈত চুলি পেলালে, ক'ৰ মাছৰ পেটত সেই চুলি ওলাল, এতিয়া তেওঁ তাক ক'ত বিচাৰি পায়? নহলেও সিফালে ৰাজকন্যা মৰে। ৰজা বিমোৰত পৰি মূৰমাই বহি আছে।

ৰাজকন্যাই এটা টোৰাকাউৰী পুহিছিল। সি ৰজাৰ দুখ দেখি ওচৰ চাপি কলে, "স্বৰ্গদেউ, আপুনি একো চিন্তা নকৰিব, মই সেই চুলিৰ গৰাকীক উলিয়াই দিম, আপুনি মোক মাখোন এটা পকা আম দিয়ক।" ৰজাই টোৰাকাউৰীৰ কথা শুনি অলপ উৎসাহ পাই লৰালৰিকৈ এটা পকা আম বিচৰাই অনাই টোৰাকাউৰীক দিলে। কাউৰীয়ে সেই পকা আমটো লৈ বাঁৰী-কোঁৱৰ থকা হাবিলৈ উৰি গৈ কোঁৱৰৰ ওচৰ পাই মাত লগালে,—

"বংশিঙা খংশিঙা কোনে খায়?
পকা আমটি কোনে খায়?"

পকা আমৰ নাম শুনিয়েই বাঁৰী-কোঁৱৰৰ লোভ লাগিল। তেওঁ উত্তৰ দিলে—

"বংশিঙা খংশিঙা মৰে খাওঁ।
পকা আমটি পালে মৰে খাওঁ।"

এই বুলি কৌৰৱে ক'লত কাউৰীটোৱে বাঁৰী-কৌৰৱক পকা আমটি দিলে আৰু কৌৰৱে আমটো লবলৈ হাত মেলোতেই সি টপ কৰে খংশিঙাটো লৈ গুচি গ'ল। মানুহে কথাতে কয় বোলে "কাউৰী টেঙৰ আৰু মাউৰী টেঙৰ।" সি কৌৰৱক কেনেকৈ ছলিলে দেখিলা? কৌৰৱৰ হাতৰপৰা খংশিঙাটি গলত, "বাপুৰ চিলিৰ ছিগিল।" ইয়াৰ পিচত বাঁৰী-কৌৰৱে বংশিঙাটো বজায় হে বজায়, ম'হবোৰ বং-শিঙাৰ মাত শুনি বং পাই ঘূৰি ঘূৰি চৰি ফুৰি-বলৈহে লাগিল।

ইপিনে চোঁৰাকাউৰীয়ে ৰজাক খংশিঙাটো দি কলে বোলে "এই শিঙাৰ গিৰিহঁতেই চুলিৰ গৰাকী। আপুনি মোৰ লগত টেকেলা-বেঙেনা গোটাচেৰেক দিয়ক মই তাক দেখুৱাই দিওঁগে।" কাউৰীৰ কথা শুনি ৰজাই গোটাচেৰেক টেকেলা তাৰ লগত দি তাক পঠাই দিলে। বাঁৰী-কৌৰৱক এতিয়া সহজে ধৰি আনিব পৰা হল; কাৰণ খংশিঙাটো লৈ তাৰ বল গ'ল।

বাঁৰী-কৌৰৱক ৰজাৰ টেকেলাই ধৰি আনি ৰজাৰ আগত দিলেহি। কৌৰৱক টেকেলাই ধৰি লৈ যাওঁতে সি বাটে বাটে নিজৰ গাৰ কাপোৰখনৰ এডোখৰ এডোখৰকৈ কালি পেলাই গৈছিল। ম'হ-বোৰে গধূলি খুটিলৈ উভতি আহি বাঁৰী-কৌৰৱক নেদেখি কৌৰৱৰ কিবা বিপদ ঘটিল ভাবি কৌৰৱে কালি পেলাই যোৱা সেই কালি-কাপোৰবোৰৰ চিন ধৰি বিচাৰি গৈ ৰজাৰ ঘৰ ওলালগৈ। ৰজাই ম'হ আৰু অহা দেখি ভয় খোৱাত বাঁৰী-কৌৰৱে সেইজাক তাৰ ম'হ বুলি কলে। ম'হজাকেও কৌৰৱক দেখি আনন্দত নাচিবলৈ ধৰিলে। ৰজাই কৌৰৱক কলে—"যদি তোমাৰহে ম'হ তেন্তে তুমি সিহঁতৰ কানে কানে বগাই ফুৰিব পাৰিবানে?" কৌৰৱে পাৰিম বুলি কৈ ম'হবোৰৰ কানে কানে বগাই ফুৰি দেখুৱালত ৰজাই কথাটোৰ প্ৰমাণ পাই সন্তোষিত হৈ বাঁৰী-কৌৰৱে সৈতে নিজৰ জীয়েৰেক বিয়া দি যৌতুকেৰেক উঠিবজা পাতি নিজে বহিবজা হৈ ৰ'ল। আমাৰ কাপোৰ কালি ক'লা হ'ল, গুচি আহিলোঁ।

তেজীমলা

এক সাউদৰ দুজনী বৈণীয়েক আছিল। বৰ-ঘৰণীৰ একজনী মাথোন ছোৱালী আছিল, তাইৰ নাম তেজীমলা। সৰুঘৰণীৰ কোনো-ল'ৰা-ছোৱালী নাছিল। তেজীমলাৰ মাক তেজীমলাৰ কেচুৱা কালতে মৰিল, সেইদেখি তাইক মাহীয়েকে তুলি-তালি ডাঙৰ কৰিছিল। ঘৰখনত একেজনী ছোৱালী তেজীমলা বাপেকৰ বৰ চেনেহৰ আছিল; কিন্তু মাহীয়েকে হলে পেটেপেটে তেজীমলাক সমূলি দেখিব নোৱাৰিছিল; কেৱল গিৰিয়েকৰ ভয়তহে তাই তেজীমলাক প্ৰতিপাল কৰি ডাঙৰ দীঘল কৰিব লগীয়াত পৰিছিল।

আজি কালিকৈ তেজীমলা দহ-এঘাৰ বছৰীয়া হল। সেই গাঁৱৰে ভাল মানুহ এঘৰৰ সমনীয়া ছোৱালী এজনীৰ সৈতে বাপেকে সখী বন্ধাই দিলে।

তেজীমলাৰ বাপেক বেপেৰুৱা মানুহ; বেহা-বেপাৰলৈ নগলে নচলে। সেইদেখি সততে তেওঁ চাৰিওকালে বেহাই ফুৰিব লগীয়াত পৰে। এইবাৰ ৬।৭ মাহলৈকে তেওঁ বেপাৰৰ নিমিত্তে দূৰলৈ যাব-লগীয়াত পৰিল। সেইদেখি তেওঁ যাবৰ সময়ত বৈণীয়েকক ওচৰলৈ মাতি আনি তেওঁৰ অতি আদৰুৱা তেজীমলাক বৈণীয়েকৰ হাতত গতাই দি কলে যে, "এইবাৰ মই ৬।৭ মাহলৈ বিদেশলৈ যাওঁ। তোৰ হাতত মোৰ তেজীমলাক গতালোঁ। তাই আদৰুৱা ছোৱালী; তাইক মৰম-ৰেখা কৰি ভালকৈ ৰাখিবি।"

সাউদনীয়ে ভাবিলে, "এইবাৰ মোৰ বেছ সুবিধা হৈছে, এই কেইমাহৰ ভিতৰতে মই মোৰ চকুৰ-কূটা, দাঁতৰ-শালটো গুচাব পাৰিম। তাইক ঠেকেচি ঠেকেচি মোৰ মনৰ হেঁপাহ পলুৱাম।" আৰু তাই ভাবিলে—"অকল ঠেকেচিয়েই নেৰোঁ, সেইদৰে এৰিলে, বাপেকে আহি সেই কথা কেনেবাকৈ বুজি পালে এখন হাই-উৰুমিৰহে বাহ হব। এই আপদৰ একেবাৰেই জহন মাৰিম। এইক বিয়া দিওঁতে মোৰ ঘৰৰ আদখিনি বস্তু এইৰ লগত উলিয়াই দিব লাগিব। এই হল মোৰ সতিনীৰ জী। মোৰ কপালতো কোনো ল'ৰা-ছোৱালী নহলেই, সতিনীৰ এইটোকনো পোহ-পাল কৰি নিৰ্ব্বাহ দি মোৰ লাভ কি হব? বাপেকে এইৰ লগত যিখিনি ধন-বস্তু উলিয়াই দিব, সেইখিনি মোৰ আইৰ ঘৰলৈ সৰকালে উপকাৰ দিব। হেনজানি এইৰ দেউতাক উভতি অহাৰ আগতেই এটা বুধি কৰি এইৰ ওৰ পেলাব লাগিব।" ইয়াকে মাহীয়েকে ভাবি, সাউদে নাও মেলি যোৱাৰ দিনৰপৰা তেজীমলাৰ সাৰৰ চেলু বিচাৰিবলৈ ধৰিলে আৰু বিচাৰ পাইয়ে তেজীমলাক অকটো পাই দুখ দিবলৈ ধৰিলে।

ইতিমধ্যে তেজীমলাৰ সখীয়েকৰ বিয়া আহিল। পৰহিলৈ বিয়া। সখীয়েকৰ ঘৰৰ পৰা তেজীমলাক বিয়ালৈ মাতি পঠিয়ালে। বিয়াৰ তিনি চাৰি দিন সখীয়েকৰ ঘৰত থাকি তেজীমলাই ৰং-ধেমালি কৰি নোৱাই-ধোৱাই সখীয়েকক বিয়া দিব লাগে। তেজীমলাৰো বৰ হেঁপাহ যে বিয়াৰ কেইদিন সখীয়েকৰ ঘৰত থাকি ৰং ধেমালি কৰি তাই বিয়া খাব।

মাহীয়েকে অনেক দিনৰে পৰা আলচা কথা সিদ্ধি হবৰ আগন্তুক হৈছে ভাবি তেজীমলাক বিয়ালৈ যাবলৈ অনুমতি দি লোকক দেখুৱাই উকমক-মুকক কৰি, তেজীমলাই বিয়াত পিন্ধিবলৈ কাপোৰ উলিয়াবলৈ ইটো জপা মেলিছে, সিটো জপা মেলিছে, ইটো পেৰা মেলিছে, সিটো পেৰা মেলিছে, "এইবোৰ কাপোৰ আমাৰ আইটি তোলৈ ভাল হবনে ?" "এইখন বিহা সেইখন মেখেলাই তোক শুৱাবনে ?" এনেবিলাক কথা কৈ মাহীয়েকে আড়ম্বৰ কৰিবলৈ ধৰিলে। মাহীয়েকৰ ভাল পাটৰ বিহা-মেখেলা এযোৰ আৰু এখন উত্তম গুণাৰ পাৰি দিয়া খনীয়া-কাপোৰ আছিল ; শেষত তাকে মাহীয়েকে উলিয়াই তেজীমলাক বিয়াত পিন্ধিবলৈ দি কলে,—"আইটি এই কাপোৰযোৰ আৰু খনীয়াকাপোৰখনকে তোক পিন্ধিবলৈ টোপোলা বান্ধি দিওঁ। তই এতিয়া তোৰ গাত থকা কাপোৰ যোৰেৰেই সখীয়েৰৰ ঘৰলৈ যা, সখীয়েৰৰ ঘৰৰ ওচৰ পালেই টোপোলাত দিয়া বিহা-মেখেলা আৰু কাপোৰ পিন্ধিবি, ইয়াৰপৰা সেই কাপোৰ পিন্ধি গলে খোজকাঢ়ি যাওঁতে বাটত ধলি-মাকতি লাগি ক'লা হব।" ইয়াকে কৈ মাহীয়েকে পাটৰ বিহা-মেখেলাযোৰৰ ভিতৰত মনে মনে এটা নিগনি সুমাই দি আৰু পাৰিদিয়া খনীয়াকাপোৰখনৰ ভিতৰত এটা আঙঠা বান্ধি দি টোপোলা এটা কৰি তেজীমলাৰ হাতত দিলে।

সখীয়েকৰ ঘৰ পাওঁ পাওঁ হওঁতেই তেজীমলাই মাহীয়েকৰ কথা মতে পাটৰ বিহা-মেখেলা আৰু পাৰিদিয়া কাপোৰ পিন্ধিবৰ মনেৰে টোপোলা মেলোঁতে কাপোৰযোৰৰ ভিতৰৰপৰা এটা নিগনি ওলাই লৰ মাৰিলে আৰু কাপোৰযোৰৰ ভিতৰৰ পৰা এটা আঙঠা সৰকি পৰিল। তেজীমলাই দেখি বিচুৰ্তি হল যে বিহা-মেখেলাযোৰ নিগনিয়ে কুটি ঠকালৰকা কৰিলে আৰু পাৰিদিয়া কাপোৰখন ঠায়ে ঠায়ে পুৰিলে। ভয়ত তেজীমলাৰ মুখ শুকাই গল, তাই ঠক্ ঠক্ কৰে কঁপি কেকুৰি কেকুৰি কান্দিবলৈ ধৰিলে। লগত যোৱা মানুহেও এই কাণ্ড দেখি আচৰিত হৈ, শেহত তেজীমলাক অনেক বুজাই-বঢ়াই নিচুকাই সখীয়েকৰ ঘৰলৈ লৈ গৈ তাৰপৰা এযোৰ বিহা-মেখেলা আৰু এখন কাপোৰ খুজি তাইক পিন্ধাই বিয়া চাবলৈ দিলে। বিয়াৰ পিচত তেজীমলা নিজৰ ঘৰলৈ উভতি আহিলত, মাহীয়েকে তাইক কাপোৰৰ কথা সুধিলত তাই ভয়ত কঁপি কঁপি সেই পোৰা আৰু কুটা কাপোৰৰ টোপোলা মাহীয়েকৰ আগত পেলাই দিলে। মাহীয়েকে কুটা আৰু পোৰা কাপোৰ দেখি কৃত্রিম খঙত জ্বলি-পকি তেজীমলাক নখৈ গালি-শপনি পাৰি মাৰি ভাও কৰিলে। ইমান মাৰিও মাহীয়েকৰ হেঁপাহ নপলাল। পিছত তেজীমলাক টানি আনি মাহীয়েকে ঢেঁকীৰ আগত বহুৱাই ধান বঢ়াবলৈ লগাই, নিজে ধুম ধুম কৰে ঢেঁকী দিবলৈ লাগিল। মাহীয়েকে ঢেঁকী দি থাকোঁতে এবাৰ হঠাৎ চাৰ মাৰি ঢেঁকীটো পেলাই দি তেজীমলাৰ সোঁ হাতখন খুন্দি পেলালে। সোঁহাতখন খুন্দিলত তেজীমলাই যন্ত্রণাত চিঞৰি কান্দিবলৈ ধৰিলত, বাঢ়নি মাৰিডালেৰে মাহীয়েকে তেজীমলাৰ পিঠিত কোবাবলৈ ধৰি, তেজীমলাক বাওঁ হাতেৰে খুৰলিত ধান বঢ়াই দিবলৈ হুকুম দিলে। বাওঁহাতেৰে তেজীমলাই খৰলিত ধান বঢ়াই থাকোঁতে মাহীয়েকে সোঁহতৰ দৰে তেজীমলাৰ বাওঁ হাতখনো খুন্দিলে, বাওঁহাত খুন্দি তাৰ পিছত মাহীয়েকে তেজীমলাক সোঁ ভৰিৰে ধান বঢ়াবলৈ কৈ সোঁভৰিখনো খুন্দিলে আৰু তাৰ পিছত সেইদৰে বাওঁভৰিখনো খুন্দিলে। শেহত মাহীয়েকে তেজীমলাক মূৰেৰে ধান বঢ়াবলৈ কৈ তেজীমলাৰ মূৰটোও খুন্দি পেলালে। তেজীমলা মৰিল।

এইদৰে গিৰিয়েকৰ আলাসৰ লাডু চেনেহৰ তেজীমলাক মাৰি সাউদনীয়ে কোনেও নেদেখাকৈ লৰালৰিকৈ নি ঢেঁকীশালৰ পানীপোতাতে গাঁত এটা খান্দি পুতি থলে।

তেজীমলাক পোতা ঠাই তোখৰত কিছুমান দিনৰ মূৰত এজোপা লাওগছ গজি লহ-পহ কৰে ডাঙৰ হল আৰু গছ ভৰি বঢ়িয়া বঢ়িয়া একোটা লাও লাগিল। ইকালে ওচৰ-চুবুৰীয়া মানুহে ভালেমান দিন তেজীমলাক দেখিবলৈ নেপাই, মাহীয়েকক তাইৰ বাতৰি সুধিলত মাহীয়েকে উত্তৰ দিলে, "তেজীমলা সখীয়েকৰ ঘৰৰপৰা অহাই নাই।"

এদিন মাগনী বুঢ়ী এজনীয়ে সাউদনীৰ ঘৰৰ ঢেঁকীশালৰ চালত লাওবোৰ লাগি থকা দেখি সাউদনীৰ ওচৰলৈ আহি কলে "আই মোক লাও এটা দিয়ক।" তেজীমলাক মৰাৰ দিনৰ পৰাই মাহীয়েকে ঢেঁকীশালৰ কালে যোৱা নাছিল দেখি লাওজোপা তাইৰ চকুত পৰাই নাছিল। সেই দেখি তাই মাগনী বুঢ়ীক উত্তৰ দিলে, "বাই মোক লাও দিবলৈ ক'ত পাম ? নিজেই আজি ভালেমান দিন লাও.

খোৱা নাই।" মাগনীয়ে ক'লে, "কিয় আই এনেকৈ কয়, আপোনাৰ ঢেঁকীশালৰ ছালতে দেখোন লাও ভৰি লাগি আছে।" বুঢ়ীৰ কথা শুনি সাউদনীয়ে আচৰিত মানি ক'লে, "মই হলে দেখা নাই, তই দেখিছ যদি কেইটা লাগে ছিঙি নে গৈ।" বুঢ়ীয়ে এই কথা শুনি লাওগছৰ ওচৰলৈ আহি আহি লাও এটা ছিঙিবলৈ হাত মেলোঁতেই লাও-জোপাই বিনাই মাত লগালে—

"হাতো নেমেলিবি, লাৱো নিছিঙিবি,
ক'ৰে মগনীয়া তই।
পাট-কাপোৰৰ লগতে মাহীআই খুন্দিলে
তেজীমলাহে মই।"

লাওগছে মত শুনি বুঢ়ীয়ে ভয় খাই লাও নিছিঙি গুচি আহি সাউদনীক কলে, "আই, লাও ছিঙিবলৈ হাত মেলোঁতেই মোক এইদৰে লাও-জোপাই মাত লগাগে। মোক আৰু লাও নেলাগে আই, মই গুচি যাওঁ।" এইবুলি মাগনী বুঢ়ী গুচি গল। তেতিয়া সাউদনীয়ে কথাটোৰ আচল মানে ভালকৈ বুজিব পাৰি, কটাৰী এখন লৈ গৈ লাওগছ-জোপা কাটি টানি নি বাৰীৰ পিছফালে পেলাই দি গুচি আহিল।

লাওজোপা কাটি যতেই পেলাই দিছিল সেই-খিনিতে কিছুমান দিনৰ মূৰত এজোপা জবাটেঙা হৈ ভালভৰি জবাটেঙা লাগিল। গছজোপাত জবাটেঙা ইমানকৈ লাগিছিল যে অৰ ভৰত গজছোপা দোঁ-খাই পৰিছিল। এদিন কিছুমান গৰখীয়া ল'ৰাই গৰু চৰাওঁতে সেই জবাগছত জবাটেঙা দেখি খাবলৈ মন কৰি সাউদনীৰ ওচৰলৈ আহি কলে, "আই, আমাক গোটাচেৰেক জবাটেঙা খাবলৈ দিবনে?" সাউ-দনীয়ে "মই ক'ত জবা পাম?" বুলি কলত সিহঁতে কলে, "কিয় আই, আপোনাৰ বাৰীৰ পিছফালে এজোপা জবাগছত জবাটেঙা দেখোন ভৰি লাগি আছে।" সিহঁতৰ কথা শুনি সাউদনীয়ে আচৰিত মানি কলে, "মই হলে ক'ত জবাটেঙা লাগিছে দেখা নাই, তহঁতে দেখিছ যদি কিমান লাগে পাৰি নে.গ।"

সাউদনীৰ হুকুম পাই গৰখীয়া ল'ৰা কেইটা জবাটেঙাৰ কাষলৈ গৈ জবাটেঙা পাৰিব খোজোঁতেই গছজোপাই বিনাই মাত লগালে—

"ভাইও বোলোঁ মই ককাইও বোলোঁ মই,
গঁৰিবে গৰখীয়া।
হাতো নেমেলিবি, জবাও নিছিঙিবি,
ঘৰলৈ উভতি যা॥
পাট-কাপোৰৰ লগতে মাহী আই খুন্দিলে,
মইহে তেজীমলা॥"

গৰখীয়া ল'ৰাহঁতে এই বিননি শুনি কিবা দেও-ভূত গছজোপাত আছে বুলি জবাটেঙা নিছিঙি আৰপৰা আহি সাউদনীক এই কথা কৈ গুচি গ'ল। সাউদনীৰ ছাঁটকৰে মনত পৰিল যে তাই লাওগছ-জোপা কাটি সেইখিনিতে পেলাইছিল। এই কথা মনত পৰিলত তাই বুজিব পাৰিলে যে তেজীমলাইহে জবা হৈ আছে। ইয়াকে ভাবি সাউদনীয়ে জবাগছ-জোপা কাটি নৈত উটাই দিলে।

জবা গছজোপা নৈত উটি গৈ ওচৰৰে ঘূলি এটাত বৈ এজোপা পদুম হৈ এটা সুন্দৰ ফুলেৰে জকমকীয়া হল। কিছুদিনৰ মূৰত বেহাবেপাৰ কৰি সেই নৈয়েদিয়েই তেজীমলাৰ বাপেক নাৱেৰে উভতি আহোঁতে নৈৰ ঘূলিত গছজোপাত সুন্দৰ পদুম ফুল এটা ফুলি থকা দেখি তেজীমলালৈ সেই ফুলটো লৈ যাওঁ বুলি ভাবি নাৱৰীয়া এটাক সেই ফুলটো ছিঙি আনিবলৈ কলে। নাৱৰীয়াটোৱে ফুলটো ছিঙিবলৈ হাত মেলোঁতেই পদুমে বিনাই গালে—

"হাতো নেমেলিবি, ফুলো নিছিঙিবি,
ক'ৰে নাৱৰীয়া তই।
পাট-কাপোৰৰ লগতে মাহী আই খুন্দিলে,
তেজীমলাহে মই॥"

ফুলে বিনোৱা দেখি নাৱৰীয়াটোৱে ভয় খাই সাউদক ক'লত, সাউদে সেইটো কিনো চাওঁ বুলি ওচৰ চাপি গৈ ফুলটো ছিঙিবলৈ হাত মেলিলতে ফুলে বিনাই মাতিলে—

"হাতো নেমেলিবা, ফুলো নিছিঙিবা,
চেনেহৰ পিতাদেউ এ।
পাট-কাপোৰৰ লগতে মাহী আই খুন্দিলে,
তেজীমলাহে মই॥"

বাপেকে তেজীমলাৰ মাহীয়েকৰ স্বভাৱৰ কথা আগৰেপৰা জানি থৈছিল, সেই কাৰণে ভাবিলে যে, "এইজনী নিশ্চয় মোৰ তেজীমলা।" ইয়াকে মনেৰে ভাবি তেওঁৰ বাওঁহাতত তেওঁৰ মুখৰ তামোলৰ এখন চোৰা আৰু সোঁহাতত এটা লাড়ু লৈ কলে যে, "যদি তই মোৰ তেজীমলাহে হয়, তেন্তে নিশ্চয় তই শালিকাটি হৈ উৰি আহি মোৰ হাতত পৰি এই চোৰাটি খাবি; আৰু যদিহে নহয়, আন কোনোবাহে হয় তেন্তে লাড়ুটো নিবি।" এইবুলি তেওঁ ক'লতে পদুম ফুলটি শালিকা এটি হৈ উৰি আহি তেওঁৰ হাতত পৰি চোৰাটি খালে। বাপেকে তেতিয়া তেজীমলা বুলি নিশ্চয়কৈ জানি শালিকাটি এটা সজাত ভৰাই লৈ আহিল।

সাউদে ঘৰ পাই ঘৈণীয়েকক সুধিলে, "তেজীমলা কলৈ গল ?" ঘৈণীয়েকে কলে "মোমায়েকৰ ঘৰলৈ গল।" সদাগৰে ঘৈণীয়েকক দুকটি দুকটি প্ৰশ্ন কৰি আচল কথাটো উলিয়াই লৈ কচালে। ইয়াৰ পিচত শালিকাটিৰ গাত নিজৰ পানীগামোচাখন তেওঁ পেলাই দি কলে, "যদি তই মোৰ তেজীমলা হে আৰু যদি মোলৈ তোৰ মৰম আছে, এই গামোছাখন পিন্ধি তই মানুহ হবি।" এই কথা শুনি তেতিয়াই তেজীমলা আগৰ দৰে হল আৰু সাউদে ঘৈণীয়েকক ঘৰৰপৰা তেতিয়াই খেদাই দিলে।

বুঢ়া-বুঢ়ী আৰু শিয়াল

এহাল বুঢ়া-বুঢ়ী আছিল। এদিন বুঢ়াই কিছুমান কচু আনি ৰন্ধলৈ ধৰিছে, এনেতে কিছুমান শিয়াল আহি বুঢ়াক মাত লগালে,—"ককা, আপুনি কচু কেচাই খাইছে নে সিজাই খাইছে ?" বুঢ়াই উত্তৰ দিলে, "বোপাহঁত, মই কচু কেচাই খাইছোঁ।" শিয়ালবোৰে বুঢ়াৰ কথা শুনি বুঢ়াক কলে, "ককা, আপুনি কচু খাব জনা নাই, ; কচুবোৰ আগেয়ে সিজাই লওক। আৰু য'ত খাব, গাঁত একোটা দি ঢাকি থৈ যাওক, দেখিব, ৰাতিৰ ভিতৰতে একোজোপা ডাঙৰ ডাঙৰ কচু গছ হৈ আছে।" সিহঁতৰ কথা শুনি বুঢ়াই ক'লে, "বাৰু মোৰ বোপাহঁত, তহঁতৰ কথামতে মই কচু খাম।"

গধূলি বুঢ়াই এটাইবোৰ কচু সিজাই শিয়ালৰ বুধিমতেই খাই থলে। ৰাতি শিয়ালবোৰে আহি সিজোৱা কচবোৰ আনন্দ কৰি খাই গুচি গল। পিচদিনা বুঢ়াই ৰাতিপুৱাই কচুবাৰীত কচু চাবলৈ গৈ দেখে যে কচু এটাও নাই। তেতিয়া বুঢ়াই শিয়ালৰ ফাঁকিটো বুজিব পাৰি লাজতে তল-মূৰকৈ ৰহিল।

ইয়াৰ কিছুমান দিনৰ মূৰত বুঢ়াই এটা বুধি সাজি বুঢ়ীক কলে, যে "বুঢ়ী, আজি তই মোৰ গাত কিছুমান লালী-গুড় ঢালি থ। গুড়ৰ গোন্ধ পাই যেতিয়া জাকে জাকে মাখি আহি মোৰ গাত পৰিব, তেতিয়া তই ইনাই বিনাই বুঢ়া মৰিল বুলি কান্দিবি। তোৰ কান্দোন শুনি শিয়ালবোৰে ওচৰ চাপি আহি কি হৈছে বুলি তোক সুধিলেই তই সিহঁতক বুঢ়া মৰিল বুলি কৈ মোৰ শবটো ঘৰৰ ভিতৰৰপৰা উলিয়াই লৈ গৈ থবলৈ কবি। মোৰ ওচৰতে টাঙোন এডাল লুকাই থবি। সিহঁতে মোক উলিয়াই নিবলৈ ঘৰৰ ভিতৰ সোমালেই তই লাহেকৈ দুৱাৰখন জপাই দিবি, দিলেই মই গিৰিপ্ কৰে উঠি টাঙোনডাল লৈ তাৰে সিহঁতক কোবাই মাৰিম।" বুঢ়াৰ কথা মতেই বুঢ়ীয়ে কৰিলত শিয়ালবোৰে বুঢ়ীক সুধিলেহি, "আই কান্দিছ কিয় ? কি হৈছে ?" বুঢ়ীয়ে কলে, "বোপাহঁত, আজি আমাৰ বুঢ়াটো চুকাল, সেইবাবে কান্দিছোঁ। তহঁতে পাৰ যদি বুঢ়াক বাহিৰলৈ উলিয়াই নি থাগৈ।" বুঢ়ীৰ কথা শুনি শিয়ালবোৰে ৰং মনেৰে বুঢ়াক নিবলৈ বুলি ঘৰৰ ভিতৰ সোমালত বুঢ়ীয়ে দুৱাৰখন মাৰি পেলালে আৰু বুঢ়াই একেচাৰে উঠি টাঙোনডাল হাতত লৈ শিয়ালবোৰক মৰিয়াই মাৰিলে ; মাত্ৰ সিহঁতৰ ভিতৰৰ চাৰিটা শিয়াল কেনেবাকৈ পলাই সাৰিল।

কিছুমান দিনৰ মূৰত বুঢ়ীয়ে বুঢ়াক কলে, "মই ভালেমান দিন শিয়ালৰ ভয়ত কলৈকো ওলোৱা নাই ; জী-জনীৰ ঘৰলৈ গৈ এবাৰ তাইক চাই আহোঁগৈ বুলিছোঁ ; মনটো বেয়া লাগি আছে।" বুঢ়াই কলে, "বুঢ়ী, তই গলে বাটত শিয়ালবোৰে তোক অকলৈ পাই খাই পেলাব।" বুঢ়ীয়ে কলে, "নোৱাৰে খাব ; যাম কোনোমতে।" এইবুলি বুঢ়ী জীয়েকৰ ঘৰলৈ গ'ল। বাটত শিয়ালবোৰে বুঢ়ীক অকলৈ পাই বেঢ়ি ধৰি কলে, "বুঢ়ী, তোক আজি আমি নেৰোঁ, খাম।" বুঢ়ীয়ে উত্তৰ দিলে, "খাব খুজিছ খাবি, কিন্তু আজি মই ভালেমান দিন মোৰ ছোৱালীজনী দেখিবলৈ পোৱা নাই, মনটো কেনেবা লাগি আছে ; সেইদেখি মৰিবৰ আগেয়ে তাইক এবাৰ চাই লওঁ বুলি আহিছোঁ। মই উভতি আহোঁতে তহঁতে মোক খাবি।" শিয়ালে কলে, "যদি উভতি নাহ, তেন্তে ?" বুঢ়ীয়ে উত্তৰ দিলে—"বুঢ়াক এৰিলো মই নহাকৈ কেনেকৈ থাকিম, মোৰ বোপাহঁত ? মই সহত খাই কৈছোঁ, এই বাটেদিয়ে মই সোনকালে উভতি আহিম আৰু তহঁতে মোক কি কৰ কৰিবি।" বুঢ়ীৰ কথা পতিয়াই সিহঁতে বুঢ়ীক এৰি দিলত, বুঢ়ী জীয়েকৰ ঘৰ পালেগৈ। জীয়েকৰ ঘৰত কিছুদিন খাই-লৈ থাকি বুঢ়ীয়ে উভতি আহিবলৈ ধৰি জীয়েকক শিয়ালবোৰেৰে সৈতে হোৱা সকলো কথা ক'লত, জীয়েকে মাকক কলে, "আই, মোৰ ঘৰত এটা ডাঙৰ লাওৰ খোল আছে ; তুমি তাৰ ভিতৰতে সোমাই বাগৰি বাগৰি গৈ ঘৰ পাবাগৈ ; শিয়ালে তোমাক নেদেখে।" বুঢ়ীয়ে জীয়েকৰ বুধিমতেই লাওটোত সোমাই বাটে বাটে বাগৰি গৈ আছে, এনেতে শিয়ালবোৰে দেখি ফোঁৱাকুই কৰিবলৈ ধৰিলে—"এইটো বৰ আচৰিত কথা, লাওটো কেনেকৈ বাগৰি যাব লাগিছে। ই নিশ্চয় লাও নহয়, ইয়াৰ ভিতৰত কিবা আছে।" এইবুলি সিহঁতে লৰিয়াই লৰিয়াই লাওটো ভাঙি পেলালে। লাওটো ভাঙিলত তাৰ ভিতৰৰ পৰা

বুঢ়ী ওলাই পৰিল। সিহঁতে বুঢ়ীক দেখি আনন্দত "খেক্-খেক্ হোৱা-হোৱা" কৰিবলৈ ধৰি কলে, "বুঢ়ী, তই আমাক ফাকি দি পলাই যাবলৈ ধৰিছিলি! এতিয়া কি হব? আমি তোক এতিয়া খানহঁক।" বুঢ়ীয়ে উত্তৰ দিলে, "কি কৰিম, খাব খুজিছ খাবি ; কিন্তু মই মোৰ জীৱ ঘৰত এটা সুন্দৰ নতুন নাচ শিকি আহিছোঁ ; মই মৰিলে মোৰ নাচটো মোৰ লগতে যাব ; সেইদেখি মই পাকচেৰেক সেই নাচটো নাচি তহঁতক দেখুৱাওঁ, তাৰ পিচত তহঁতে মোক খাবি।" বুঢ়ীৰ কথা শুনি সিহঁতে নাচ দেখাৰ লোভ সামৰিব নোৱাৰি সেই কথাত মান্তি হলত বুঢ়ীয়ে কলে, "মই নাম লগাই দিওঁ, তহঁতে 'হয় হয়' কৰি যদি, তেহে আকৌ মোৰ ভালকৈ গাটো উঠিব।" এইখিনিতে কওঁ যে বুঢ়ী লাওটোৰ ভিতৰত থাকি বাগৰি বাগৰি ঘৰৰ ওচৰ পাওঁতেহে ধৰা পৰিছিল। বুঢ়ীৰ দুটা কুকুৰ আছিল, এটাৰ নাম বঙা, আনটোৰ নাম ক'লা। বুঢ়ীয়ে পাক দি নাচি নাচি নাম ধৰিলে—"বঙা ঔচ! ক'লা ঔচ!" শিয়ালবোৰে মাতিলে "হয় হয়"। এইদৰে বাৰ-চেৰেক বুঢ়ীয়ে "বঙা ঔচ! ক'লা ঔচ!" বুলি-লতে বঙা আৰু ক'লা কুকুৰ দুটা তাতে লৰি ওলালহি। কুকুৰ দুটা দেখিয়েই শিয়ালবোৰ পিয়া-পি দি পলাল আৰু তেতিয়া আমাৰ বুঢ়ী ঘৰলৈ শুচি আহিল। আমাৰো কাপোৰ-কানি ক'লা হলত আমিও শুচি আহিলো।

— —

দীঘল ঠেঙীয়া

এজনী বুঢ়ী আছিল। তাই এজাক গৰু ৰাখি গাখীৰ বেচি কোনোমতে টুক্-টুক্ টাক্-টাক্কৈ খাই আছিল। তাই থকা ঘৰটো বৰ পুৰণি। তাৰ চালৰ খেৰবোৰ উৰ'লি গৈছে দেখি উকখি বৰষুণত পানী পৰে। এদিন ডাৱৰীয়া ৰাতি তাই খাই-বৈ উঠি শুবলৈ ধৰোঁতে—"এ প্ৰভু, দীঘল-ঠেঙীয়াই নেপায় যেন" এই বুলি চাঙত উঠি শুই থাকিল।

সেইদিনা ৰাতি এটা চোৰে বুঢ়ীৰ গৰু এটা চুৰ কৰি নিবলৈ বুলি আহি গোহালিৰ কাষতে লুকাই থাকি, বুঢ়ী শুবলৈ বাট চাই আছিল। এটা বাঘেও বুঢ়ীৰ গৰু খাবলৈ মন কৰি এধাৰে-মুধাৰে মনে মনে আহি গোহালিৰ গৰু-জাকৰ মাজত সোমাই বুঢ়ী শুবলৈ বাট চাই আছিল। বাঘ আৰু চোৰ দুয়ো বুঢ়ীৰ কোৱা সেই কথাষাৰ শুনিলে। কিন্তু দীঘলঠেঙীয়া মানে কি সিহঁতে বুজিব নোৱাৰি ভাবিবলৈ ধৰিলে, "দীঘলঠেঙীয়াটো বা কি?"

বুঢ়ীৰ ভাত-সুমতি আহিল। চোৰে গৰু চুৰ কৰিবলৈ গোহালিত সোমাল। চোৰে ভাবিলে "কোনটো গৰু ভাল কোনটো গৰু বেয়া এন্ধাৰে-মুন্ধাৰে কেনেকৈ চিনিম? এতেকে যিটো গৰুৰে তাৰ টিকাত হাত দিলেই জঁপিয়াই উঠিব সেইটোৱেই নিশ্চয় চেঙা আৰু ভাল হব।" ইয়াকে সি থিৰকৰি এটা এটাকৈ গৰুবোৰৰ টিকাত হাত ফুৱা লৈ ধৰিলে। সেইদৰে সিহাত ফুৱাই চাই ফুৰোঁতে বাঘটোৰ টিকাত হাত পৰিলত বাঘটো জঁপিয়াই উঠিল। চোৰে ভাবিলে "এইটো বৰ কাটন গৰু, ইয়াকে নিব লাগিল।" ইয়াকে ভাবি সি বাঘটোৰ নেজডাল পকাই দি তাক খেদি লৈ যাব খোজোঁতেই বাঘে ভাবিলে, "এইটো বুঢ়ীয়ে কোৱা দীঘল-ঠেঙীয়াই হে মোক পালে।" এই ভাবি বাঘে আকৌ জাঁপ মাৰি উঠিল। চোৰে ভাবিলে "ই কম গৰু নহয়, ইয়াৰ পিঠিত নুঠিলে ইয়াক লৈ যাব নোৱাৰিম।" ইয়াকে ভাবি চোৰ জাঁপ মাৰি বাঘৰ পিঠিত উঠিলতে, বাঘে ঠিক তাক দীঘলঠেঙীয়াই ভালকৈয়ে পালে বুলি থিৰ কৰি গোহালিৰ পৰা ওলাই চেকুৰি লৰ মাৰিলে। চোৰেও গৰুটোৰ কেৰামতালি দেখি বুজিলে, "সি গৰু নহয়, কিবা দীঘলঠেঙীয়াহে। আজি মোক সঁচাকৈয়ে দীঘল-ঠেঙীয়াই হে পালে।" দুইও দুইকো দীঘল-ঠেঙীয়া ভাবি ভয়ত তৎমৎ এৰিলে।

চোৰক পিঠিত লৈ বাঘে চাপনি মেলি হাবিত সোমাবলৈ ধৰোঁতেই চোৰে মৰো-জীওঁকৈ বাঘৰ গলধনটো মোকোটাই ধৰিলে। তেতিয়া বাঘে ভাবিলে, 'অ' ই দীঘল-ঠেঙীয়া নহয়, ঘাৰ-মোকো-টোৱাহে।' বাঘে ভয়ত আৰু বেগেৰে লৰ দিবলৈ ধৰিলে। চোৰে বাঘক ঘাৰ মোকোটায়ো ৰাখিব নোৱাৰি শেহত বাঘৰ নেগুৰত হাত পৰিলত বাঘৰ লৰ আৰু চৰিল। লৰৰ কোবত চোৰটো বাঘৰ পিঠিত আৰু বব নোৱাৰি বাগৰি মাটিত পৰিল। কিন্তু সি বাঘৰ নেগুৰডাল ইমান বজ্ৰলেপ মুঠিৰে ধৰিছিল, যে নেগুৰডাল চোৰৰ হাতৰ মুঠিতে পেঁপা-কাঢ়ি ৰ'ল। বাঘ লৰমাৰি সাৰিল। সি হাবিৰ ভিতৰ পাই অলপ উশাহ লৈ ভাবিলে, তাক ঘাৰ-মোকোটোৱাই নহয়, পেঁপাকঢ়াই হে পাইছিল। ইফালে চোৰে হাতৰ নেগুৰডাল পিটিকি-জিটিকি চাই দেখিলে যে সেইডাল গৰুৰ কি আন জন্তুৰ নেজ নহয় বাঘৰ হে নেজ। তেতিয়াহে তাৰ বৰ ভয় লাগিবলৈ ধৰিলে। ৰাতি তেতিয়া ভাগেমান আছিল। সেইদেখি সি ৰাতিটোৰ বাকীছোৱৰ কটাবলৈ ওচৰৰে ওখ আমগছ এজোপাত উঠিল।

ইফালে বাঘে হাবি সোমাই আৰু পেঁপা-কঢ়াই পোৱা কথা তাৰ লগৰীয়া জীৱ-জন্তুবিলাক ক'লত, সিহঁতে ভবি-পাৰি থিৰ কৰিলে যে "এইটো বৰ

লাজৰ কথা হল। সিহঁত বৰৰ বৰ্জা; এতেকে সিহঁতৰ লগৰীয়া ভাই বজা এজনক পেঁপা-কচাই এনে লঘু-লাঞ্ছনা কৰিব ই বৰ অসহনীয় কথা। ইয়াৰ প্ৰতিকাৰ নকৰিলে পেঁপা-কচাই পোৱা সেই বাঘটোৰ মাথোন নেজডাল হে গৈছে, সিহঁতৰ কিন্তু অপমানত নাক-কাণ লোপাই যাব আৰু তাৰ বাহিৰেও পেঁপাকচা বুলি যদি কোনো জন্তু সিহঁতকে বন্দী হৈ ওলায়, তেন্তে সিহঁত বজাৰ শাৰীৰ পৰা গৈ খৰি-ভাৰী, পানী-ভাৰীৰ শাৰীত পৰিবগৈ।" সেইদেখি সকলোবোৰ বাঘে লৰালৰিকৈ মেল পাতি ইয়াকে আলচ কৰিলে যে অলপো পলম নকৰি তেতিয়াই সিহঁতে পেঁপা-কচাৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰি যোৱাটো উচিত।

দুকুৰিমান বাঘে পেঁপা-কচাক বিচাৰি চলাথ লগালে, কিন্তু ক'তো সিহঁতে পেঁপা-কচাক নেদেখিলে। শেহত এটা বাঘৰ চকু সেই আম-জোপাৰ আগত পৰিলত, -সি পেঁপা-কচাক তাত বহি থকা দেখিলে। সেইটো পেঁপা-কচা বুলি আঙু-লিয়াই দেখুৱালত এটাইবোৰ বাঘে একেবাৰে হাউৰি মাৰি উঠিল। কিছুপৰ সিহঁতে ভাৰি-চিন্তি বুধি এটা সাজিলে। পেঁপা-কচাক চুৰি পাবলৈ সিহঁতে এটাৰ পিঠিত এটা, আকৌ সেইটোৰ পিঠিত আন এটা সেইদৰে উঠি উঠি ওখ হৈ গল। চোৰে ভাবিলে এতিয়া সৰ্ব্বনাশ। এতিয়াহে বিপাঙ্গে মৰিলোঁ। তৎক্ষণাৎ চোৰেও এটা বুধি উলিয়ালে। সি দেখিলে যে, নিচেই তলত পেঁপা-কচাই পোৱা সেই বাঘটো। সেই নেগুৰখঁৰা বাঘটোক চোৰটোৱে গলুগলীয়া মাতেৰে মাত লগালে, "খঁৰা, চাৰি, চাৰি, চাৰি।" খঁৰা বাঘে ভাবিলে, "আকৌ পেঁপা-কচাই আনবোৰক এৰি মোকহে ধৰে নেকি?" ইয়াকে ভাবি সি স্তুতি-বুদ্ধি হেৰুৱাই হাবিৰ ফালে লৰ ধৰিলে। সি তেনে কৰিলত, তাৰ পিঠিত এটা এটাকৈ উঠি ওখ হৈ থকা আটাইবোৰ বাঘ ঠন্ ঠন্ কৰে মাটিত সৰি পৰিল। সিহঁতেও "আমাকো পেঁপা-কচাই পালে" বুলি ভাবি বৰকৈ ভয় খাই অৱা-লৰা ছিটি ন'ৰি হাবিলৈ পলাই গুচি গ'ল।

চোৰে ৰাতিটো তাতে থাকি ৰাতি পুৱাতে গছৰ পৰা নামি তাৰ ঘৰলৈ গুচি আহিল; আৰু তেতিয়াৰে পৰা সি আৰু চুৰ নকৰে বুলি শপত খালে।

[illegible]

এদিন মানুহৰ [illegible], [illegible] জন্তুবোৰৰ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] বিলৰ ভগা-জুৰিতে দুপৰীয়া মেল পাতিলে। সেই মেলটলৈ বৌ, বাঘ, শ'ল, ৰবালি, কাৰৈ, গৰৈকে আদি কৰি কুল-ভৰিকণালৈকে সকলোবোৰ মাছ আহিল। সৰজুৰাসকল গোটখালত, টপাবুৰীয়া বুঢ়া গৰৈকে সকলোৱে সেই দিনাৰ মেলখনৰ মবমুৰীয়া পাতিলে আৰু লবৰৰ চেঙেলিক পাচনীৰ ভাৰ দিলে। পাচনীয়ে গণ্ডাটোপৰ, মেলখন লো কিয় পতা হৈছে সৰজুৰাসকলক ভালকৈ বুজাই দিবলৈ ক'লত গণ্ডাটোপে হাতযোৰ কৰি কবলৈ ধৰিলে,— "বাইজসকল! মই আজি আপোনালোকৰ ভজিৰ খুলি মূৰত লৈ আমাৰ পাচনী চেঙেলি ককাইৰ আজ্ঞামতে আমাৰচেৰেক কথা কব খুজিছোঁ, যদি মোৰ কথাত কিবা বৰূপে কেনা লাগে, মই সভাপতি মূৰুখ বুলি মোৰ অগৰ নধৰি সকলো দায়-দোষ মৰিষণ কৰিব যেন। আপোনাসকলৰ চৰণত মোৰ এয়ে তুতি।—

"সকলো জন্তুৰ ভিতৰত আমাক বাইকৈ মানুহ নামৰ জন্তুবোৰে ৰবকৈ হিংসা-বৈৰিতা কৰে। সিহঁতে আমাক জাল, পল', জুলুকি, প'ঙিৰি, চেপা, ঠুহা আদি নানা যন্ত্ৰেৰে ধৰি তপত তেলত আৰু পকা অণ্ঠাত পেলাই ভাজি, পুৰি, পাজত দি, খৰিকাত দি, সিজাই, পকাই খায়। কিন্তু এটা কথা বাইজে মন কৰি চাব, যে সিহঁতে যদিও আমাক এইদৰে ধৰি নানা শাস্তি দি খায়, তথাপি সিহঁতক আন আন পশু জাতিৰ গোলাম কৰিহে ঈশ্বৰে চজি পঠিয়াইছে। আপোনালোকে মানুহ নামৰ এই জন্তুবোৰৰ ঘৰেপতি চাই বুজকগৈ; দেখিব,—সিহঁতে গৰু, ম'হ, ঘোঁৰা, ছাগলী আদিৰ কি দৰে গোলামী কৰিব লাগিছে। গৰু, ঘোঁৰাক সিহঁতে খাবলৈ ঘাঁহ দিছে, শুবলৈ ঘৰ পাৰি দিছে, থাকিবলৈ ঘৰ সাজি দিছে। গৰু, ঘোঁৰা, ছাগলীৰ গোবৰ আৰু লাদ পৰ্য্যন্ত এই মহতীয়াবোৰে উকলি চাফ কৰিছে।

"বাইজসকল! এক প্ৰকাৰে চাবলৈ গলে এই মানুহ জাতিটো আগৰ কালত গৰু-পোৱালি আছিল যেন মনে ধৰে; কিয়নো সিহঁতে গৰুৰ গাখীৰ খায়। পশু জাতিৰ ভিতৰত দেখা যায় যে মাকৰ গাখীৰ খাইহে পোৱালি ডাঙৰ হব পাৰে। এইবোৰ কথা ভালকৈ ভাবি চালে মানুহ জাতিটো যে গোটগৰু আৰু গৰুলি বুলি মাৰ্হকিয়া সেইটো ভালকৈ বুজিব পাৰি। এতেকে এনে গৰু মানুহক আমি চিলিকতে বধ কৰি আইধা কৰিব পাৰিমনে।

"বাইজসকল! মই মুখপাতটি দ'লো। 'মানুহ' বিষয়ে সকলোবোৰ কথা মই ভালকৈ বুজিবলৈ দি জাতি-পাতি আপোনালোকৰ আগত কব পৰা নাই।

মোৰ মাহী গেদ্‌গেদী এই বেলনৈ কিয় আজি অহা নাই কব নোৱাৰোঁ। তেওঁ ইয়াত থকাহেঁতেন, অজৰ ভিতৰত কুলাধম এই মানুহবোৰৰ বিষয়ে আৰু ভালকৈ বৰ্ণাই আপোনাসকলৰ আগত কব পাৰিলেহেঁতেন আৰু সিহঁতক কেনেকৈ মাৰিব পাৰি, কি গুণ, কি বেমজা, সকলোবোৰ বহলাই কব পাৰিলেহেঁতেন। কাৰণ তেওঁৰ মুখখনি বহল। সেই মুখখনিৰেই মোৰ গেদ্‌গেদী মাহীয়ে আগৰ কালত কুৰুক্ষেত্ৰৰ যুঁজত ওঠৰ অক্ষৌহিনী সৈন্যৰ ভিতৰত অকলে এক অক্ষৌহিণী গিলিছিল বুলি শুনিছো। এতেকে তেওঁক বেগতে মতাই আনি মোৰ কথাৰ প্ৰমাণ লওক।"

গণ্ডাটোপৰ কথা শুনি তেতিয়াই মেলৰ ৰৰ-মুৰীয়া গৰৈয়ে চেঙেলি পাচনীক হুকুম দিলে যে গেদ্‌গেদী বাইক এতিয়াই অনাৰ লাগে। তৎক্ষণাৎ পাচনীয়ে গৰৈচিৰিকা এটাক গেদ্‌গেদীৰ ঘৰলৈ লৰালৰিকৈ পঠিয়াই দিলে। গৰৈয়ে গেদ্‌গেদীৰ ওচৰ পাই মাত লগালে,—

"গেদ্‌গেদী বাই। গেদ্‌গেদী বাই।
সবাহলৈ যায়নে নেযায়?"

গৰৈৰ কথা শুনি গেদ্‌গেদীৰ টিকৃচি বিকৃচি খং উঠিল। গেদ্‌গেদীয়ে গৰৈক জোকোৰা মাৰি উত্তৰ দিলে,—"বন্দী টভংৰো। পোৱালি খোৱা! নেযাওঁ যা।" এই উত্তৰ শুনি গৰৈয়ে অপমান পাই উভতি আহি সমজুৱাসকলক জনালত গণ্ডাটোপে নিজেই মাহীয়েকক মাতিবলৈ, মেলৰ ৰৰগৰাকী ৰৰমুৰীয়া গৰৈৰ অনুমতি লৈ লৰ ধৰিলে। গেদ্‌গেদী বায়ে যদিও গৰৈচিৰিকাৰ আগত খং কৰি মেললৈ নেযাওঁ বুলিছিল, তথাপি বাইজৰ হুকুম পেলাব নেপায় বুলি ভাবি কাছিপাৰি সেন্দুৰৰ কৌটি-বেৰা লৈ ওলাইছিল; এনেতে গণ্ডাটোপ ওলালহি। গণ্ডাটোপে মাত লগালে,—

"কাঞ্চনমতী আই, কাঞ্চনমতী আই।
সবাহলৈ যায়নে নেযায়?"

গণ্ডাটোপৰ সম্বন্ধটো শুনিয়েই গেদ্‌গেদীৰ মুখৰ পৰা খং শৰ্মা পলাবলৈ তং নেপালে। হৰিষতে গেদ্‌গেদীয়ে উত্তৰ দিলে,—

"এৰা ভালেহে জানে জালৰ মোল।
আমাৰ গণ্ডাধৰ বোপা নে কোন॥"

"হ'লা গণ্ডাই বোপা, যাওঁ ব'লা।" মাহী-য়েকৰ মুখৰ পলাগলি আমাৰ গণ্ডাই বোপাৰ দুই কাণৰ বিত্তাইদি যো-যো কৰে বেজিয়াই সোমাবলৈ ধৰিলে, গণ্ডাই বোপা আনন্দত উত্ৰাৱল হৈ পৰিল।

আগেয়ে তেওঁক সেইদৰে কোনেও শলপা শুনা নাছিল। সেইদেখি তেওঁ হাততৰে স্বৰ্গখন চুকি পোৱা যেন লাগি গপত ওকফা পৰিল। মাহীয়েকৰ কথাষাৰ গণ্ডাটোপে মনত বিমান পাওঁলিবলৈ ধৰিলে সিমানে তেওঁৰ পেটটো ওকণিবলৈ ধৰিলে। ওকণা পেটটো খোজেপতি ওকোণাই ওকোণাই খোজ কাঢ়ি আহি গণ্ডাটোপ যেতিয়া সবাহৰ ওচৰ পালেহি, হঠাৎ পানী-হিলৈ ফুটাদি শব্দ কৰি তেওঁৰ পেটটো ফুটি থাকিল। গণ্ডাটোপৰ পেট ফুটাৰ শব্দটো হিলৈৰ শব্দ যেন হৈ ওলোৱাত সমজুৱা-সকলে ভয় খাই দিহাদিহি পলাই পত্ৰং দিলে।

নুমলীয়া পো

এহাল বুঢ়া-বুঢ়ী আছিল। বুঢ়া কালত সিহঁতৰ এটা ল'ৰা হ'ল। বুঢ়াই গুণি-ভাবি পুতেকৰ নাম কি থব বিচাৰি নাপাই, গণকৰ হতুৱাই নাম চোৱা-বলৈ এজন গণকৰ ঘৰলৈ গ'ল। গণকে বুঢ়াক সুধি-পুছি, তাৰ বুঢ়া কালত হোৱা আৰু একেবাৰেই নুমলীয়া দেখি ল'ৰাৰ নাম নোমল দিলে।

বুঢ়াই গণকক পানী-গামোছা এখন আৰু এটা চৰতীয়া দি নামটো লৈ ঘৰলৈ উলতিল। বাটত আহোঁতে বুঢ়াই কেনেবাকৈ নামটো পাহৰে বুলি "নোমল" "নোমল" কৈ বিঙিয়াই আহিছিল। আহোঁতে আহোঁতে লাহে লাহে তাৰ ভুল হৈ নোমলৰ ঠাইত "নেমেল" "নেমেল" ওলাবলৈ ধৰিলে। সি যাওঁতে এখন নৈৰ পাৰেদি গৈছিল। সেই নৈতে এজন সদাগৰে নাও বান্ধি আছিল। বুঢ়া আহি সদাগৰৰ নাৱৰ ওচৰাওচৰি পাওঁতেই সদাগৰে তেওঁৰ নাওখনি মেলিবলৈ নাৱৰীয়াহঁতক হুকুম দিলে। নাৱৰীয়াহঁতে নাৱৰ গোজ উঘালি নাওখন মেলিবলৈ ধৰোঁতেই "নেমেল" "নেমেল" কৈ বিঙিয়াই যোৱা বুঢ়াৰ মাত শুনি সদাগৰক কলে, "দেউতা, কৰবাৰ বুঢ়া এটাই আমাক নাও মেলিবলৈ হাক দিছে।" নাৱৰীয়াহঁতৰ কথা শুনি সদাগৰে বুঢ়াক মতাই নি, সি কিয় নাও মেলিবলৈ হাক দিছে সুধিলে; বুঢ়াই সদাগৰৰ কথাৰ উত্তৰ দিবলৈ গ'লে কিজানি সিকালে নামটো পাহৰি যায় ইয়াকে ভাবি কোনো উত্তৰ নিদি, যাখোন বাৰে বাৰে 'নেমেল' 'নেমেল' কৰিবলৈ ধৰিলে। সদাগৰৰ খং উঠিল— "উস্ কটা! ইমান দিন ইয়াতে থাকি আজি দিন-বাৰ চাই নাওখন মেলিবলৈ হুকুম দিলোঁ, আপদীয়া এইটোৱে কৰবাৰপৰা আহি মোৰ শুভ-যাত্ৰাত বিঘিনি জন্মালে। কটা ধৰ ইয়াক।" এই বুলি সদাগৰে নাৱৰীয়াহঁতক লগাই দি বুঢ়াক, ভালকৈ

এপিটন দিয়ালে। মাৰ খাই বুঢ়াই নেনেল বুলিবলৈ পাহৰি "নহবৰ হল" "নহবৰ হল" বুলিবলৈ ধৰিলে। বুঢ়াই "নহবৰ হল" কৈ গৈ আছে, এনেতে সেই বাটেদিয়েই ভালকৈ সাজ-পাৰ পিন্ধি যোৱা মানুহ এটাক সি লগ পালে। মানুহটোৱে বুঢ়াই সেই "নহবৰ হল" কথাটো শুনি ভাবিলে, সি ভালকৈ ধুন-পেচ্ মাৰি সাজ-পাৰ পিন্ধি আহিছে দেখি হে বুঢ়াই তাক সেইদৰে হাহিঁছে। ইয়াকে ভাবি সি তাৰ হাতৰ লাখুটিডালেৰে বুঢ়াক মাৰচেৰেক মাৰিলে। বুঢ়াই মাৰ খাই, সেই "নহবৰ হল" কথাষাৰকো পাহৰি "সিটোতকৈ ইটোহে চৰা" বুলি যাবলৈ ধৰিলে। এনেতে বুঢ়াৰ আগেদিয়েই দুটা পৰলীয়া মানুহ গৈছিল ; সিহঁতে ভাবিলে বুঢ়াই সিহঁতৰ গঁৱল দেখি সেইদৰে সিহঁতক হাহিঁছে। ইয়াকে ভাবি খং উঠি সিহঁত দুয়ো বুঢ়াক গুকলা গুকলকৈ কিলালে। কিল খাই বুঢ়াই চুচৰি-বাগৰি কোনোমতে ঘৰ পালেগৈ। ঘৰ পাই সি তাৰ বুঢ়ীক বিপদৰ কথা ভাঙি কলত, বুঢ়ীয়ে বেজাৰ কৰি বুঢ়াক সুধিলে, "বাৰু যি হল হল, এতিয়া গণকে দিয়া নামটো কি কোৱাচোন ?" বুঢ়াই কলে, "কিলৰ তাপত মোৰ মনৰ পৰা নামকাম সোপাই পলাই গল ; মই নামটো পাহৰিলোঁ।"

বুঢ়াৰ কথা শুনি বুঢ়ীয়ে কলে, "পাহৰিলা যদি পাহৰিলা, কি কৰিম। ল'ৰাৰ নাম থোৱা হ'ল আৰু ; এতিয়া আমাৰ মাটিডৰা কম্বৰ কাৰবাৰ কৰা। বাৰীৰ চুকৰে মাটিডৰা নুমলীয়াকৈ কম্বলৈ কঠিয়া পাৰাগৈ যোৱা।" "নুমলীয়াকৈ" কথাটো শুনিয়েই বুঢ়াৰ পুতেকৰ নামটো মনত পৰিল। বুঢ়াই তেতিয়া খঙত একোনাই হৈ বুঢ়ীক কলে, "হয়, তয়েই যদি মোৰ ল'ৰাৰ নামটো জান, তেন্তে মোক কিয় ইমানখন মাৰ-কিল খুৱালি ?" এই বুলিয়েই বুঢ়াই বৈণীয়েকৰ পিঠিত ও পাৰিলে।

ইয়াৰ পিচত বুঢ়া-বুঢ়ীয়ে পুতেকৰ নাম নোবল দি খাই-বৈ থাকিল। আমি ঘৰলৈ গুচি আহিলোঁ।

[illegible]

কোনো এখন গাঁৱত কবিং নামেৰে এটা খেতিয়ক মানুহ আছিল। মানুহটোৰ বৈণীয়েকজনী আগোল-পেটীয়া স্বভাৱৰ আছিল। ঘৰখনত মাথোন গিৰিয়েক আৰু বৈণীয়েক। সিহঁতৰ সন্তান-সন্ততি হোৱা নাছিল। মাৰ মহীয়া আগ কিনকিনীয়া বৰষুণ। খাতিপুৱাই কবিঙে শোৱাপাটিৰ পৰা উঠি বৈণীয়েকক কলে, "আজি আকৰীয়া বতৰ ; মোৰ পিঠা খাবৰ মন গৈছে, তই পিঠা খনচেৰেক ভাজি দিব নোৱাৰনে ? আজি ভাত নাখাওঁ বুলিছো।" গিৰিয়েকৰ কথা শুনি বৈণীয়েকে কলে, "পিঠালৈ ৰবাধান ক'ত ? ৰবাধানতো আমাৰ ভঁৰালত নাই।" গিৰিয়েকে কলে, "তেন্তে কি হব ? পিঠা খোৱা নহল দেখিছোঁ।" বৈণীয়েকে উত্তৰ দিলে, "যোৱাচোন, কাৰ ঘৰত ৰবাধান মাৰিছে চোৱাঁগৈ। এগাল খুজিয়েই নহয় লৈ আহাঁগৈ।" বৈণীয়েকৰ কথা শুনি, গিৰিয়েক অলপ পৰ তভক মাৰি ভাবি থাকি এটা বুধি সাজি, গাত এখন এৰীয়া কাপোৰ লৈ ওলাই গ'ল।

কবিঙে ওচৰচুবুৰীয়া এঘৰত ৰবাধানৰ মৰণা মৰা দেখি, মৰণাৰ ওচৰতে বহি তাৰ গিৰিহঁতৰ সৈতে ভাত খোৱা, শাক খোৱা আদি সুখ-দুখৰ নানা কথা পাতিবলৈ ধৰিলে। ভালেখিনি পৰ সেইদৰে কথা পাতি তাতে বহি আছিল। মৰণাৰ ধান সৰিল। গিৰিহঁতে খেৰ জোকাৰি ধানখোৰ একলীয়া কৰিলে। এনেতে কবিঙে তাৰ ঘৰকৈ পেটকামো-ৰাৰ ভাও ধৰি, গাত লৈ থকা এৰীয়া কাপোৰেৰে সৈতে ধানৰ ওপৰত বাগৰ দিলে। একেই ককুৰা ৰবাধান, তাতে এৰীয়া কাপোৰ, ধানে কাপোৰখন তেনেই সি সি ধৰিলে। ধানৰ ওপৰত ভালকৈ তিনি-চাৰি বাগৰ দি কবিং উঠি কেকাই কেকাই নাহেকৈ ঘৰলৈ উভতি আহিল। ঘৰ পাই কবিঙে এৰীয়া কাপোৰখন জোকাৰি এদোন ৰবাধান পালে। বৈণীয়েকে ৰবাধান দোন দেখি ৰং পাই সিজাই ব'দত শুকাই-উৰাই চাউল উলিয়াই পিঠাগুৰি খুন্দিলে। গধূলি বৈণীয়েকে ভাত ৰান্ধি কবিঙক খুৱাই অতাই, পিঠাৰ খোলা পাতি পিঠা ভাজিবলৈ বহিল। ভাত খাই উঠি কবিঙৰ টোপনি আহিলত কবিং শুই থাকিল। বৈণীয়েকে ৰাৰবুৰি পিঠা ভাজি ভলা এখনত থৈ অতাই, অন্তত সৰহখিনি পিঠা নিজে খাই, মাথোন খনচেৰেক পিঠা বাটি এটাত ভৰাই থৈ দিলে। বৈণীয়েকে শুবৰ সময়ত গিৰিয়েকক জগাই কলে, "পিঠা ভজা হল ; কিন্তু তোমাৰ সৈতে এটা কথা বাজো,—কাইলৈ বাতিপুৱা আমাৰ দুয়োৰে ভিতৰত যেয়ে শোৱা পাটিৰ পৰা আগেয়ে উঠিব, সেয়ে তিনি ভাগৰ এভাগ পিঠা খাব ; আৰু যি পিচত উঠিব সি দুভাগ খাবলৈ পাব।" কবিং বৈণীয়েকৰ কথাত মান্তি হৈ শুই থাকিল।

পিছদিনা পুৱা শোৱাপাটিৰ পৰা এটাও নুঠা হল। ব'দ ওলাই পৰিব লগা হল তথাপি দুয়োৰে কোনো নুঠে, দুয়ো কৌপনিৰ ভাও ধৰি নাক বোৰ্কো-ৱাই শুই আছে। শেষত কবিঙে দেখিলে এক এইদৰে দি হাল-কোৰ বন্-ধামী লোকাই বৈ [illegible] শুই থাকিব। বৈণীয়েকেও পিঠা দুভাগ [illegible]

সি এভাগকে খাব। ইয়াকে ভাবি সি উঠি আছিল। শিবিয়েকক উঠি অহা দেখি বৈণীয়েকে মাত লগালে, "তুমি মোতকৈ আগেয়ে উঠিলা, এতেকে তোমাৰ এভাগ, মোৰ দুভাগ।" শিবিয়েকে উত্তৰ দিলে, "থাক তয়ে খাবি দুভাগ।"

কৰিৱে পিঠা খাবলৈ গৈ দেখিলে যে পিঠা খনচেৰেক হে মাথোন আছে। সি বৈণীয়েকক সুধিলে, "আৰু পিঠা ক'ত ?" বৈণীয়েকে উত্তৰ দিলে, "আৰু কৰপৰা পিঠা ওলাব। যি হৈছিল এটাইবোৰ সেই বাটিতে আছে। তুমি তাৰে এভাগ খাই দুভাগ মোলৈ থৈ দিবা।" গিৰিয়েকে পেটে পেটে ভাবিলে যে এইটো বৰ আচৰিত কথা, এদোন ধানৰ মুঠেই এই কেইখন পিঠাহে হল। যেকত আৰি খোৱা ভলাখনলৈ এনেতে হঠাৎ তাৰ চকু পৰাত সি দেখিলে যে তাত পিঠাৰ গাঁচ বাহি আছে। সি সেই গাঁচবোৰ লেখি তিনিকুৰি পালে। কিন্তু বৈণীয়েকক সি একোকে নকৈ ওলাই আহি বাহিৰত বহিছিল, এনেতে বৈণীয়েকে বঁটাটো উলিয়াই আনি তাক তামোলচালি কাটি দিওঁতেই, সি তামোল এখন হাতত লৈ ফকৰা মাতিলে,

"নাঙলতে মঙল, এছাৰিতে দেও।
তিনিকুৰি পিঠা খালে নাজানিলে কেও॥"

গিৰিয়েকৰ ফকৰাটো বৈণীয়েকে বুজিব পাৰি লাজত আগৰপৰা উঠি আহি কাষত কলহ লৈ পানী আনিবলৈ নৈৰ ঘাট পালেগৈ। ঘাটত কেবাজনীও চিনাকি তিৰোতা মানুহ দেখি তাই সিহঁতক সেই কথাটো ভাঙি কলে যে তাইৰ গিৰিয়েক সৰ্বজান। তিৰোতা মানুহৰ কথা, ইজনী সিজনীৰ কাণত পৰি বহল হৈ গল; আৰু সকলো গাঁৱৰ মানুহে কৰিৱক সৰ্বজান বুলি জানিলে।

ইতিমধ্যে এটা মানুহৰ ক'লা গৰু এজনী হেৰাইছিল; গৰুৰ গৰাকীয়ে পাঁচ দিন সেই গৰুজনী বিচাৰি নাপাই শেষত কৰিং সৰ্বজান বুলি শুনি কৰিৱৰ কাষ পাই গৰুৰ কিবা ভু কৰিৱে দিব পাৰে নে বুলি কৰিৱক সুধিলে। দৈৱক্ৰমে সেইদিনা পুৱা কৰিৱে তাৰ বাৰীৰ পিছফালে উলুৱনিৰ মাজত সেই ক'লী গাইজনী চৰি থকা দেখি আহিছিল। সেইদেখি কৰিৱে তাক কলে,—"বাৰীৰ পিছফালে এইপিনেই বিচাৰি গলে তুমি তোমাৰ গৰুজনী পাবা।" মানুহটোৱে কৰিৱৰ কথামতে গৈ বিচাৰি গৰুজনী পাই আনিলে। ইয়াৰ পিচত কৰিং যে বৰ প্ৰধান সৰ্বজান সেই কথা চাৰিওফালে জয়-জয়া হৈ পৰিল। এই কথা গৈ ৰজাৰ কাণত পৰিলগৈ। ইতিপূৰ্বে ৰজাৰ সোণৰ এধাৰ হাৰ চোৰে লোকৰ হাৰ এডাল হেৰাইছিল। ৰজাই অনেক বিচাৰ-খোচাৰ কৰিও সেই হাৰডাল উলিয়াব নোৱাৰিলে। সেইদেখি ৰজাই সৰ্বজানক হাৰ উলিয়াই দিবলৈ মাতিলে। এই কথা টেকেলাই কৰিৱক ক'লত কৰিং থিয়ে মুচকচ্ খোৱা যেন হল। নগলেও ৰজাই কাটিব, গৈ হাৰ উলিয়াই দিব নোৱাৰিলেও কাটিব, আৰু সি সৰ্বজান নহয় বুলি কলেও ৰজাই কাটিব। এতেকে সি কি কৰিব একো ভাবি নাপাই, যি কপালত থাকে হব বুলি ঈশ্বৰক চিন্তি ৰজাৰ আগত উপস্থিত হলগৈ। ৰজাই সৰ্বজানক অহা দেখি আদৰ-সাদৰ কৰি ঘৰৰ ভিতৰলৈ জলপান খুৱাবলৈ লৈ যাবলৈ ক'লত কৰিৱক ৰজাৰ ঘৰৰ ভিতৰলৈ লৈ গৈ দৈ-গাখীৰ, কোমল-চাউল, গুড়েৰে ভালকৈ এটা জলপান খাবলৈ দিয়া হ'ল।

ৰজাৰ দুজনী কুঁৱৰী; এজনীৰ নাম মাদৈ, এজনীৰ নাম হাদৈ। হাদৈয়েই ৰজাৰ সোণৰ হাৰ-ডাল চুৰ কৰি লুকাই থৈছিল। সৰ্বজান অহা শুনি ধৰা পৰিম বুলি হাদৈৰ মুখত পানী নাই। সেইদেখি সৰ্বজানে জলপান খোৱা ঘৰৰ ওচৰতে হাদৈয়ে থিয় দি বেৰৰ জলঙাইদি জুমি সৰ্বজানক চাই আছিল। তাত সৰ্বজানৰ মুখতো পানী নাই। সি দৈ-গাখীৰেৰে জলপান-বাটি দেখি আপোনা-আপুনি কলে—"হা দৈ আজিয়েই খাই ল, কাইলৈ ৰজাই কি কৰে চিন নাই।" সৰ্বজানে এইদৰে কোৱা শুনি সৰু কুঁৱৰী হাদৈয়ে ভাবিলে, যে সৰ্বনাশ। মোক সৰ্বজানে ধৰিলে। ইয়াকে ভাবি কুঁৱৰীয়ে ওলাই আহি সৰ্বজানৰ হাতত ধৰি কলে,—"সৰ্ব-জান মোৰ কথা তুমি নকবা; তোমাক যি লাগে মই তাকে দিম।" সৰ্বজানে ভেতিয়া বুজিবলৈ বাকী নাথাকিল যে হাদৈ নামৰ এই ৰাণীয়েই চোৰ। সি গহীন হৈ মাত লগালে—"আইচু, আপোনাৰ কথা ঢাকি নকওঁ, কিন্তু আপুনি হাৰডাল এতিয়াই আনি ৰজাৰ হাতনিপেৰাত থৈ দিয়কগৈ।" সৰ্বজানৰ কথামতেই কুঁৱৰীয়ে হাৰডাল নি ভেতিয়াই ৰজাৰ হাতনিপেৰাত লুকাই থৈ দিলে।

পিছদিনা ৰজাই ৰাজসভালৈ সৰ্বজানক মতাই আনি হাৰ কোনে চুৰ কৰি নিছে কব লাগে বুলি সোধাত, সৰ্বজানে ওলাপ লৈ কলে,—"স্বৰ্গদেউ, কণীয়ে কোনেও হাৰ চুৰ কৰা নাপাওঁ। স্বৰ্গদেউৰ হাতনিপেৰাতে হাৰ থকা মোৰ জ্ঞান হয়।" তেতিয়াই ৰজাই হাতনিপেৰা খলাই মেলি চালে। দেখিলে গৈয়ে, হাৰ তাতে আছে। কথাটো দেখি সকলো আচৰিত হল। ৰজাই সৰ্বজানক মাটি-বাৰী ধন-সম্পত্তি, দি সি বাৰ এটি ৰাজ্যৰ মালিক মাতৃকৰ কৰি পঠিয়ালে।

এদিন ৰজাই হাতৰ মুঠিতে ফৰিং এটা সুমাই মুঠি মাৰি ধৰি সৰবুজানক—"মোৰ হাতৰ মুঠিত কি আছে কোৱা ?" বুলি সুধিলত সৰবুজানে তাৰ তালু কুটি জীৱ গল যেন পাই, বেজাৰতে কলে—

"এক কলোঁ লেখি,
এক কলোঁ দেখি,
হা দৈ বোলোতে ওলাল হাবজাল
এতিয়াহে পৰিল ফৰিঙৰ মৰণৰ কাল।"

ৰজাই সৰবুজানৰ নামটো জনা নাছিল ; সেইদেখি "ফৰিঙৰ মৰণৰ কাল" শুনি হাতৰ মুঠিত থকা ফৰিঙৰ কথাটো কৈছে বুলি বুজি সন্তোষ পাই মুঠিৰ ফৰিঙটো এৰি দি সৰবুজানক নিজৰ গাৰ সাজ-কাপোৰ সোলোকাই দি বঁটা পিন্ধালে।

এদিন ৰজাই হাতৰ মুঠিত শেলুক এটা লৈ সৰবুজানক "মোৰ হাতৰ মুঠত কি আছে ?" বুলি সুধিলত, সৰবুজানে থৰ্‌মৰ্‌ খাই কলে, "স্বৰ্গদেৱ, বাৰেপতি শোলকো"—ৰজাই শুনিলে "বুৰেপতি শেলুক।" তেওঁৰ হাতৰ শেলুকৰ কথা হে সৰবুজানে কৈছে বুলি সৰবুজানক ৰজাই বহুত ধন-সোণ দিলে। আমাৰ কাপোৰ-কানি ক'লা হল ধবলৈ উভতি আহিলোঁ।

এটা শিঙৰা মাছৰ কথা

এদিন এটা দুখীয়া মানুহে জকাই বাবলৈ গৈ দিনৰ দিনটো জকাই বালে, কিন্তু এটা শিঙৰা মাছৰ বাহিৰে সি একো নাপালে। সেইহে সি তাকে ঘৰলৈ নি খাবৰ মনেৰে বাছিবলৈ ধৰোঁতে শিঙৰাই মাত লগালে, "ককাই মই শিঙৰাৰ ৰজা ; তুই মোক নেখাবি ; মই তোৰ সদায় গৰুটো ৰখি দিম।" মানুহটোৱে শিঙৰাৰ কথা শুনি তাক নেখাই, পিচদিনা দুপৰীয়া শিঙৰাক খুমাই-বুমাই তাৰ গৰুটো চৰাবলৈ পঠিয়াই দিলে। শিঙৰাই গৰুটোৰ টিকাত উঠি নিজৰ মুখৰ কাঁইটেৰে খুচি খুচি তাক পথাৰলৈ লৈ গৈ চৰাবলৈ ধৰিলে। এইদৰে বহুদিন গল। এদিন শিঙৰাই গৰুটো চৰাবৰ নিমিত্তে অৰণ্যৰ কাষলৈ লৈ গৈ অৰণ্যত এটা মুখ মেলি পৰি থকা বাঘক দেখিবলৈ পালে। বাঘে গৰুটো দেখি আনন্দ মনেৰে উঠি ধৰিবলৈ যাওঁতেই শিঙৰাই তাক বাধা দি কলে—"হেৰ বাঘ ৰ ৰ, তই মোক দেখা নাই নেকি ? যদি তই মোক খাব পাৰ, তেহে মোৰ গৰু চুবি [illegible] তোৰ বাবে আছি আছোঁ ?" বাঘটো সেই ক[illegible]

শিঙৰাটোৰ এনে মহৰটনি দেখি হাঁহি, তাক মোহাৰি মাৰিবৰ মন কৰি হাতেৰে ধৰোঁতেই শিঙৰাই তাৰ হাতত শিং-কাঁইটেৰে বিন্ধি দিলে। তেতিয়াই বাঘৰ হাতখনত টেংটেঙনি তকতকৰি উঠিল। বাঘে সহিব নোৱাৰি, "তোক যিহকে লাগে তাকে মই দিম, তেওঁ মোক তই এৰি দে ও।" এইবুলি কোৱাত শিঙৰাই কলে, "যদি তোক এৰি দিব লাগে তেনেহলে মোক কি দিবি আগেয়েই দে।" বাঘে পেটৰ পৰা এটা সোণৰ আঙঠি উলিয়াই দি কলে, "এই আঙঠিটো কলাপাত এখনত থৈ ভালমতে সেৱা-শুশ্ৰূষা কৰিলেই আঙঠিটোৰ গুণত তোৰ ঘৰ-দুৱাৰ সকলোবোৰ সোণৰ হৈ পৰিব আৰু সোণ-ৰূপেৰে ঠাহ খাব।" শিঙৰাই বাঘৰ এই কথা শুনি তাক বিন্ধিবলৈ এৰি দি আঙঠিটো লৈ গৰুটো খেদাই খেদাই আনি ঘৰ পালেহি। ঘৰ পাই সি গিৰিহঁতৰ হাতত আঙঠিটো দি, সকলো কথা ভাঙি-পাতি ক'লত, গিৰিহঁতে ৰংমনেৰে, শিঙৰাই কোৱামতে আঙঠিটো কলাপাত এখনত থৈ সেৱা কৰাত তাৰ ঘৰ বাৰী সকলোবোৰ সোণৰ হৈ পৰিল। আৰু সোণ-ৰূপেৰে ঘৰ উপচি পৰিল। গিৰিহঁতে তেতিয়াই শিঙৰাৰ লগত নিজৰ জীয়েকক কেঁচা পাণ, কেঁচা তামোল কাটি বিয়া দিলে। এইদৰে বহুদিন গ'ল। এদিন শিঙৰাই মনে মনে সৈৰ ঘাটত মোটটো থৈ মানুহ হৈ গা ধুবলৈ ধৰোঁতে শিঙৰাৰ ঘৈণীয়েকে দেখি লৰালৰিকৈ মোটটো আনি জুইত পুৰি পেলোৱাত শিঙৰা শুচি সি বৰ ধুনতৰ পুৰুষ হৈ পৰিল। তেতিয়া এটাইখন মহা আনন্দেৰে ৰজাৰ দৰে থাকিবলৈ ধৰিলে।

ছালত পৰিল কেঁচা।
মোৰ সাধুকথা মিছা॥
ভাবোলে মেলিলে ভাবি।
কোন কলৈ যাবি॥

এটা বলী মানুহ

এখন ৰাজ্যত এটা বৰ ডাঙৰ হাতী আৰু এটা বাঘ আছিল। সিহঁত দুয়োৰে উপদ্ৰৱত মানুহে ভয়াৎ এৰিছিল। বহুত যত্ন কৰিও ৰজাই সেই বাঘ আৰু হাতী মাৰিব নোৱাৰি গোটেই ৰাজ্যতে ঢোল পিটি ভনাই দিলে বোলে যেয়ে এই হাতী আৰু বাঘটো মাৰিব পাৰিব তাক বহুত পুৰস্কাৰ দিয়া হব। এই কথা শুনি বহুত মানুহে বাঘ আৰু হাতী মাৰিবলৈ যত্ন কৰিবলৈ ধৰিলে কিন্তু মাৰিব নোৱাৰি বিফল। [illegible] এদিন এটা মানুহে [illegible]

খাই মৰেঁগৈ বুলি কিছুমান পিঠাগুৰিৰ লগত বিষ সানি লৈ সেই ৰাজ্যৰ কাষেদি যাওঁতে এজোপা গছৰ তলত সেই টোপোলাটো থৈ ওচৰৰে নৈ এখনত পানী খাবলৈ গৈছিল। সেই সময়তে দুষ্ট হাতীটোৱে আহি সেই পিঠাগুৰিবোৰ খাই পেলালে। যেতিয়াই বিহ-সনা পিঠাগুৰিবোৰ খালে, তেতিয়াই গাত বিষ লাগি হাতীটো মৰি থাকিল। এই কথা ৰজাই খবৰ পাই হাতীটো কোনে মাৰিলে বুলি বিচাৰ কৰোঁতাত সেই বিষ অনা মানুহটোক ৰজাৰ ওচৰলৈ লৈ যোৱা হ'ল। সি কেনেকৈ হাতীটো মাৰিলে বুলি তাক ৰজাই সুধিলত সি ক'লে—"মই হাতীটো একে ভুকুৰেই মাৰিলোঁ।"

ৰজাই বৰ সন্তোষ পাই তাক অনেক ধন দি ক'লে—"মোৰ ৰাজ্যত আৰু এটা বৰ দুষ্ট বাঘ আছে, যদি তই সেই বাঘটোও মাৰিব পাৰ তেন্তে তোক মই আৰু ধন-বস্তু দিম।" সি ক'লে বোলে,—"স্বৰ্গদেউ। সেই বাঘটোও মই মাৰিব পাৰিম।" এইবুলি কোৱাত ৰজাই ক'লে, "তই পৰহিলৈ বাঘটো মাৰিব লাগিব।" মানুহটোৱে সলাগি-সলাগি আহি তাৰ থকা ঠাই পাই চিন্তা কৰিবলৈ ধৰিলে—সি কেনেকৈ সেই বাঘটো মাৰিব পাৰে। যেতিয়া বাঘ মৰাৰ দিন পৰিলহি, সি কিছুমান ঢোল আৰু এটা ঢেঁকীখোৰা লৈ ভয়-ভয়কৈ হাবিত সোমালগৈ। সেই হাবিতে এজোপা ডাঙৰ গছ আছিল। সি গৈ সেই গছৰ ওপৰত উঠি "কে" "কে" "কা" "কা" বুলি মিছা-মিছিকৈ গান গাই আছে আৰু চৰাইবিলাকে সেই গছজোপাৰ পাতে পাতে পৰি কোঢ়াল কৰি আছে। তাকে শুনি বাঘে সেই গছৰ ওচৰলৈ আহি মানুহটোক সুধিলে, "ককাই। তই চৰাইবিলাকক কি শিকাইছ?" সেই মানুহটোৱে ক'লে বোলে—"ভাই। মই সিহঁতক গান শিকাইছোঁ।" তেতিয়া বাঘে ক'লে, "ককাই, মোকো তেনেকুৱা গান শিকাব পাৰিবি জানো?" মানুহটোৱে ক'লে, "তই হৈছ বাঘ, মই হৈছোঁ নৰমনিচ, তই মোক খাবি নহয়?" তেতিয়া বাঘে ক'লে, "মই সইত সইত তিনি সইত খাই কৈছোঁ, মই তোক নাখাওঁ। তই মোক তেনেকুৱা গান শিকা।" বাঘৰ কথা শুনি মানুহটোৱে গছৰপৰা নামি আহি বাঘৰ ভৰি চাৰিখন গোটাই খুৱলতে বান্ধি পেলাই ঢেঁকীখোৰাটোৰে তাক মাৰিবলৈ ধৰিলে। মাৰত ভং নেপাই বাঘে ক'লে, "ককাই, মই আৰু গান নিশিকোঁ, মোক এৰি দে।" মানুহটোৱে ক'লে, "ভালকৈ শিক; নিশিকিবি।" এইদৰে মাৰি থাকোঁতেই বাঘ মৰিল। সি সেই বাঘটো আনি ৰজাক দেখুৱাই দিলে। তেতিয়া ৰজাই বৰ বং মনেৰে তাক ক'লে বোলে, "আজি তোমাৰ লগতে যুঁজিবলৈ এটা বলী মানুহ আনি দিম, তুমি সেই মানুহটোক জিকিব পাৰা যদি, তোমাক আৰু ধন-বস্তু দিম।" এই বুলি কৈ এটা বলী মানুহ আনি ৰাতি তাৰ লগত ৰজাই শুৱাই থলে। ৰাতি মানুহটোৱে বলী মানুহটোক ক'লে বোলে, "ভাই, মই একেটা ভুকুতে এটা হাতী মাৰিছোঁ আৰু এটা ডাঙৰ বাঘ মাৰিছোঁ, তই মোৰ লগত কেনেকৈ যুঁজ কৰিবি? তই এতিয়া ভৰ বয়সত মোৰ লগত যুঁজি মৰিবলৈ আহিছনে?" এইবুলি কোৱাত সেই মানুহটো ভয়ত ৰাতিয়েই পলাই গ'ল। পিচে পুৱা ৰজাৰ বলী মানুহটো ৰজাই বিচাৰি নাপাই বাঘ মৰা বলী মানুহটোক বহুত ধন-বস্তু দি বিদায় দিলে আৰু তেতিয়াৰ পৰা হাতী আৰু বাঘৰ উপদ্ৰৱ গুচি নিৰাপদে ৰাজ্য চলাবলৈ ধৰিলে। কঠালে পেলালে মুচি। মই আহিলোঁ গুচি।

— —

চিলনীৰ জীয়েকৰ সাধু

এখন দেশত এটা কুমাৰ আছিল। তাৰ অনেক ধন-বস্তু আছিল; কিন্তু ল'ৰা নাছিল। তাৰ ঘৈণীয়েকে বাৰে বাৰে ছোৱালীহে পাইছিল। এই কথাত কুমাৰৰ মনত সদায় বৰ বেজাৰ। কিছুদিনৰ মূৰত ঘৈণীয়েক আকৌ গাভাৰী হ'লত কুমাৰে ঘৈণীয়েকক ক'লে, "যদি এইবাৰো তই ছোৱালীকেহে পাৱ, তেন্তে মই ঠিক কৈছোঁ তোক কৰবাত বেচিম।" গিৰিয়েকৰ কথা শুনি ঘৈণীয়েকে বৰ ভয় খালে। ল'ৰা পাৱৰ ওচৰা-ওচৰি হ'লত কুমাৰৰ ঘৈণীয়েক মাকৰ ঘৰলৈ গ'ল। কিন্তু কি দুৰ্কপাল, এইবাৰো তাইৰ ছোৱালী এজনী হে উপজিল। ছোৱালী ওপজা দেখি ভয়ত কুমাৰণীৰ অণ্ঠে-কণ্ঠে শুকাই গ'ল। সেইদেখি তাইৰ গিৰিয়েকে বুজ পোৱাৰ আগেয়েই তাই তেতিয়াই লৰালৰিকৈ ছোৱালীজনী এটা চৰুত ভৰাই কটা-কাণিৰে ঢাকিছুকি আন এটা চৰুৰে তাৰ ওপৰত সাঁফৰ দি নৈত উটাই দিলে।

চৰুটো নৈত উটি গৈ আছে, এনেতে নৈৰ পাৰত কাপোৰ ধুই থকা ধোবা এটাই চৰুটো দেখি তাত কি আছে চাওঁ বুলি সাঁতুৰি গৈ সাঁফৰটো মেলি দেখিলে,—সকে হোৱা কেচুৱা ছোৱালী এজনী তাত ভৰাই কোনোবাই উটাই দিছে। ধোবাটোৱে ছোৱালী জনী তুলি লবৰ মনেৰে সাঁফৰটো গুচাই চৰুটো ধৰি লাহে লাহে সাঁতুৰি পাৰৰ কাষে চাপি আনোঁতেই হঠাৎ এজনী চিলনীয়ে খাপ্পমাৰি চৰুটোৰপৰা ছোৱালীজনী লৈ গুচি গ'ল। এজোপা পাৰত গছৰ আগত চিলনীজনীৰ বাহ আছিল। তাই ছোৱালী-জনী সেই বাহতে থলেগৈ। কণমান কণৰ ছোৱালীটি

দেখি চিলনীৰ বৰ মৰম লাগিল। সেইদেখি তাই ছোৱালীজনী তুলি-তালি ডাঙৰ-দীঘল কৰিবলৈ মনতে ঠিক কৰিলে।

দিনৌ চিলনীয়ে ব'ৰেপৰা যি ভাল খোৱা-বস্তু পায় থাপুমাৰি লৈ আহি ছোৱালীজনীক খুৱায়। এইদৰে চিলনীয়ে লাহে লাহে তাইক ডাঙৰ-দীঘল কৰিলে। কাৰবাৰ ঘৰত ভাল বিহা-মেখেলা ব'দত শুকাবলৈ মেলি দিয়া দেখিলে চিলনীয়ে সেইবোৰ থাপুমাৰি লৈ আহি জীয়েকক পিন্ধিবলৈ দিয়ে। এদিন ৰজাৰ জীয়েক এজনীয়ে নৈৰ ঘাটতে গাৰ অলঙ্কাৰ-পাতিবোৰ সোলোকাই থৈ নৈত গা ধুবলৈ নামিছিল, এনেতে চিলনীয়ে থাপুমাৰি সেই অলঙ্কাৰ-বোৰ লৈ গুচি আহি জীয়েকক পিন্ধিবলৈ দিলে। এইদৰে ফণি, আৰ্চী, সেন্দুৰৰ টেমা, তেলৰ বাটি চিলনীয়ে যতে যি পায় তাকে নি জীয়েকক দিয়ে।

ছোৱালীজনী লাহে লাহে গছৰ ডালতে ডাঙৰ হল; আৰু ৰূপত অপেশ্বৰী যেন হল। এদিন চিলনীয়ে জীয়েকক কলে, "আই, তই এতিয়া ডাঙৰ হৈছ, মই সদায় তোক অকলৈ এৰি থৈ দূৰলৈ যাওঁ, সেইদেখি তোক কোনোবাই কিবা কৰে বুলি মোৰ বৰ ভয় লাগি থাকে। আজিৰপৰা মই গলে তোৰ ভয়-চয় লাগিলে বা খিতাতে লগা হলে তই মোক এইদৰে মাতিবি, মই ততালিকে উৰি আহি তোৰ আগতে পৰিম—

"আঁহতৰ পাত নৰে কি চৰে।
চিলনী আই মোৰ আগতে পৰে।"

এদিন দুপৰীয়া চিলনীৰ জীয়েকে গছৰ ডালতে বহি মূৰ আঁচুৰিছে। এনেতে এজন সদাগৰ সেই-পিনেই কৰবালৈ যাওঁতে ব'দত ভাগৰ লাগি সেই গছজোপাৰ তলতে জিৰাবলৈ বহিল। সেইতোখৰ ঠাইত জনপ্ৰাণী নাই। কৰবাৰপৰা এডাল চুলি উৰি আহি সদাগৰৰ কোলাতে পৰিল। সদাগৰে চুলিডাল দেখি আচৰিত মানি তুলি লৈ, বৰ দীঘল যেন দেখি জুখি চালে। চুলিডাল সাত হাত দীঘল। সদাগৰে কৰপৰা ইমান দীঘল চুলিডাল আহিল বুলি চাৰিওফালে চাই একো নেদেখিলে। এনেতে গছৰ ওপৰলৈ সদাগৰৰ চকু গল। তেওঁ দেখিলে এজনী দীপলিপ ছোৱালীয়ে ডালতে বহি চুলি আঁচুৰিব লাগিছে। সদাগৰে আচৰিত মানি ছোৱালীজনীৰ কাষলৈ চাই মাত লগালে—"তুমি কোন? দেৱতা নে মানুহ? নে অপেশ্বৰী? নে যখিনী কোন কোৱা? তুমি এই ভৰ-দুপৰীয়া গছৰ ডালত কিয় বহি আছা?" ইয়াৰ আগেয়ে ছোৱালীজনীয়ে কেতিয়াও মানুহ দেখা নাছিল; সেইদেখি ভয় খাই, কি উত্তৰ দিব একোকে থিৰ কৰিব নোৱাৰি মাকক চিঞৰি মাতিলে—

"আঁহতৰ পাত নৰে কি চৰে।
চিলনী আই মোৰ আগতে পৰে॥"

এইদৰে মতা মাত্ৰকতে চিলনী কৰবাৰপৰা উৰি আহি জীয়েকৰ আগতে পৰিল। "আই মোক কিয় মাতিছ?" বুলি চিলনীয়ে সুধিলত, জীয়েকে গছৰ তলত থকা সেই মানুহটোলৈ মাকক আঙুলিয়াই দেখুৱালে। চিলনীয়ে ডেকা আৰু ধুনীয়া সদাগৰক দেখিয়েই মনে মনে ভাবিলে, যদি এই মানুহটি ভাল হয় তেন্তে এওঁলৈকে মোৰ ছোৱালীজনী বিয়া দিব পাৰিলে ভাল হব। ইয়াকে ভাবি তললৈ আহি চিলনীয়ে সদাগৰক আগৰে পৰা গুৰিলৈকে জীয়েকৰ সকলো কথা ভাঙি পাতি কলে। সদাগৰে চিলনীক কলে যে, "মোৰ অনেক ধন-বস্তু আছে, মই চহকী মানুহ। কিন্তু মোৰ এতিয়া সাতজনী ঘৈণী আছে, তুমি যদি সেইবাবে কোনো আপত্তি নকৰি তোমাৰ জীয়েৰাক মোলৈ বিয়া দিয়া, তেনে-হলে মই নিশ্চয়কৈ কৈছোঁ যে তাইক মই সুখে-সন্তোষে ৰাখিম, কেতিয়াও দুখ নিদিওঁ।" সদাগৰৰ কথা শুনি চিলনীয়ে অনেক ভাবি-চিন্তি জীয়েকক সদাগৰলৈকে দিবলৈ মান্তি হল আৰু জীয়েকক ভালেমান বুজাই-বঢাই নমাই আনি সদাগৰৰ হাতত সমৰ্পণ কৰিলে। চিলনীয়ে কান্দি-কাটি কাকুতি-মিনতি কৰি সদাগৰক কলে, যেন ছোৱালীটিক তেওঁ দুখ নিদিয়ে, আৰু জীয়েককো কলে, "আই, মোক তোৰ লগা হলে শিকাই দিয়াৰ দৰেই মাতিলেই মই তোৰ আগতে পৰিমগৈ।"

ইয়াৰ পিচত সদাগৰে চিলনীৰ জীয়েকক ঘৰলৈ আনি বৰ মৰম-চেনেহ কৰি ৰাখিলে। কিন্তু সদাগৰৰ আগৰ সাতজনী ঘৈণীয়েকে চিলনীৰ জীয়েকৰ ৰূপ দেখি ভাবিলে যে এনে ৰূপহী ঘৈণীয়েকক পাইছে যেতিয়া সিহঁতক আৰু দেখিব নোৱাৰা হব। ইয়াকে ভাবি সাতোজনীয়ে চিলনীৰ জীয়েকক হিংসা-বিয়াল কৰি দুখ দিবলৈ ধৰিলে।

এদিন সাতোজনীয়ে লগ লাগি চিলনীৰ জীয়ে-কক কলে, "তই বৰ অপেশ্বৰী হৈ আহিছ, আমি ঘৰৰ বন-বাবী কৰি মৰি-মাৰি দিম, তই বহি বহি খাবি? যা আজি তই ভাত ৰান্ধগৈ।" চিলনীৰ জীয়েকে তাইৰ জীৱনত কেতিয়াও ভাত ৰন্ধা নাই; সেইদেখি কেনেকৈ ভাত ৰান্ধিব নাপাই নাজানি একোকে উপায় নাপাই কান্দি কান্দি ঘৰৰ পিছফালে কলনিৰ মাজত বহি বিনাই মাকক মাতিলে—

"আগলি কলপাত নৰে কি চৰে।
চিলনী আই মোৰ আগতে পৰে॥"

এনেদৰে মতা মাত্ৰকতে চিলনী আহি জীয়েৰ আগতে পৰিল। "কি হ'ল, মোক কিয় মাতিছ?"

বুলি জীয়েকক চিলনীয়ে সুধিলত জীয়েকে কলে, "আই মোক সতিনীহঁতে ভাত ৰান্ধিবলৈ কৈছে, মই কেনেকৈ ভাত ৰান্ধিব লাগে নাজানো। নাৰা-ন্ধিলে সিহঁতে গিৰিহঁতক লগাই দি মোক কি কৰো-ৱায় ঠিক নাই।" মাকে জীয়েকৰ কথা শুনি কলে, "আই তই একো ভয় নকৰিবি; কেনেকৈ ভাত ৰান্ধিবি মই কৈ দিওঁ শুন। এটা চৰুত এচৰুকৈ পানী দি তাতে চাউল এটা পেলাই দিবি আৰু আন এচৰু পানীত এডাল শাক পেলাই দিবি, দি চৰু দুটাৰ তলত এডোখৰ কাঠখৰি দি থৈ তই আখলঘৰৰ পৰা ওলাই বাহিৰতে ৰহি থাকিবি; দেখিবি চৰুত অকণ ভাত আৰু আঞ্জা হৈ আছে।" ইয়াকে জীয়েকক বুধি দি চিলনী উৰি গুচি গ'ল আৰু জীয়েকে চিলনীয়ে কোৱা দৰেই কৰিলে। ভাত খাবৰ সময়ত সতিনীয়েকহঁতে ভাতৰ পাতৰ তলত একোটা গাঁত খানি লৈছিল; যেই চিলনীৰ জীয়েকে সিহঁতৰ পাতত ভাত দি যায়, তেতিয়াই সিহঁতে সেই ভাত পাতৰ তলৰ গাঁতত পেলাই দি "ভাত টুকাল, লৈ আহ" বুলি আকৌ ভাত খোজে। এইদৰে সতিনীয়েকহঁতে যতবাৰ ভাত খোজে ততবাৰ চিলনীৰ জীয়েকে চৰুৰ পৰা ভাত আনি দি থাকে। শেহত সিহঁত হাৰি লাজ পাই উঠি গ'ল।

এদিন সতিনীয়েকহঁতে চিলনীৰ জীয়েকক গোহালি ঘৰ আঁতাবলৈ কলে। চিলনীৰ জীয়েকে গোহালিঘৰৰ ভিতৰ সোমায়েই মাকক মাতিলে—

"আগলি কলপাত লৰে কি চৰে।
চিলনী আই মোৰ আগতে পৰে॥"

জীয়েকে এইদৰে বিনাই মতা মাত্ৰকতে চিলনী আহি আগতে পৰি, "কিয় মাতিছ" বুলি জীয়েকক সুধিলত, জীয়েকে কলে, "আই, সতিনীহঁতে মোক গোহালি আঁতাবলৈ কৈছে, কেনেকৈ আঁতাম তোমাক সুধিবলৈ মাতিছোঁ।" মাকে কলে—"গোহালি-ঘৰৰ ইকালৰ পৰা সিকাললৈ বাঢ়নীৰ কাঠি এডাল বুলাই যা, দেখিবি—ঘৰটো চিকণ হৈ পৰিব।" এইবুলি কৈ মাক উৰি গলত, চিলনীৰ জীয়েকে তাকে কৰিলে আৰু সেই দিনা গোহালি ঘৰ আগতকৈ বেছি চাফ হৈ জকমকীয়া হৈ পৰিল। চিলনীৰ জীয়েকৰ এনে গুণৰ ঘন-খাৰী দেখি সদাগৰে তাইক বৰ ভাল পাবলৈ ধৰিলে।

চ'তৰ বিহুৰ ওচৰ চাপিলত সদাগৰে আঠোজনী ঘৈণীয়েকক পাইপতি পাঁচ সেৰকৈ কপাহ দি কলে, "তহঁতে মই বিহুত পিন্ধিবলৈ চোলা, চুৰিয়া, কাপোৰ, গামোছা বৈ দে। আৰু কাৰ কাপোৰ ভালকৈ বোৱা হয় মই চাম।" সাতোজনী ঘৈণীয়েকে পাইপতি লবালৰিকৈ কপাহবোৰ লৈ চলিয়াই, নেওঠি, পাঁজি কাটি, সূতা উলিয়াই কাপোৰ বৰলৈ লাগি গ'ল; কিন্তু চিলনীৰ জীয়েকে একো কৰিব নাজানি আমন-জিমনকৈ বহি থাকিল। সতিনীয়েকহঁতে ভাবিলে "এইবাৰ চিলনীৰ জীয়েক ঠেকত পৰিল। তাই তো একোকে নাজানে, কেনেকৈ গিৰিয়েকক কাপোৰ বৈ দিয়ে দেখিম।" চিলনীৰ জীয়েকে বাৰীৰ পিছফালে গৈ মাকক আগৰ দৰে বিনাই মাতিলত মাক আহি আগতে পৰি জীয়েকক সুধিলে, "কি কথা, কিয় মাতিছ?" জীয়েকে কাপোৰ বোৱাৰ কথা কলত, চিলনীয়ে জীয়েকক কলে "আই, তই চিন্তা নকৰিবি, তই তোৰ গিৰিয়েৰক কাপোৰ দিব পাৰিবি। চাইটা বাঁহৰ চুঙাত এজোলাকৈ কপাহ সুমাই চুঙা কেইটাৰ মুখত সোপা দি থৈ দে, বিহুৰ দিনা যেতিয়া তোৰ গিৰিয়েৰে কাপোৰ খুজিব, তেতিয়া তই চুঙা চাৰিটা আনি গিৰিয়েৰৰ হাতত দিবি।" এইবুলি চিলনী উৰি গুচি গলত, জীয়েকে চাইটা চুঙা আনি চাৰি জোলা কপাহ মাকে কোৱা দৰে ভৰাই সোপা দি থৈ দিলে। সতিনীয়েকহঁতে লচপচকৈ কাপোৰ বৈছে আৰু চিলনীৰ জীয়েকে একো নকৰাকৈ কপাহবোৰ পেলাই থৈছে দেখি সিহঁতে পেটে পেটে ৰং পাই ভাবিছে—"এইবাৰ বাঘে পৰিল ফান্দত। এইবাৰ চিলনীৰ জীয়েকে কাপোৰ দিব নোৱাৰিলে সদাগৰে শুদাই নেৰে।"

বিহুৰ দিনা সাতোজনী ঘৈণীয়েকে নিজৰ নিজৰ কাপোৰ, গামোছা, চোলা, চুৰিয়া উলিয়াই গিৰিয়েকৰ হাতত দিলে; আৰু চিলনীৰ জীয়েকে মাথোন চুঙা চাইটা দিলে। সতিনীয়েকহঁতে, চিলনীৰ জীয়েকে চুঙা চাইটা গিৰিয়েকৰ হাতত দিয়া দেখি, চেক্-চেক্ কৰে হাঁহিবলৈ ধৰিলে। সদাগৰেও খঙত চকু ৰঙা কৰি চিলনীৰ জীয়েকক সুধিলে, "এইবোৰ কি দিছ? তোৰ কাপোৰ ক'ত?" তাই কলে, "চুঙা কেইটা মেলি চাওক।" সদাগৰে এটা এটাকৈ চুঙা কেইটাৰ সাঁফৰ মেলিলত, সুন্দৰ চোলা, চুৰিয়া, পাটকাপোৰ আৰু গামোছা ওলাই পৰিল; আৰু সেইবোৰ ইমান ধুনীয়া আৰু মিহি যে সেইবোৰৰ আগত সতিনীহঁতৰবোৰ শোটাকানি বুলিলেই হয়। সদাগৰে সেই দেখি খঙত, সাতো-জনীয়ে দিয়া কাপোৰবোৰ ডোখৰ ডোখৰ কৰি কাটি দলিয়াই পেলাই দি চিলনীৰ জীয়েকে দিয়াবোৰ পিন্ধিলে।

লাহে লাহে সতিনীয়েকহঁতে গম পালে যে এজনী চিলনী আহি তাইক এনেদৰে বুধি দি যায়। ইয়াকে গম পাই সিহঁতে চিলনীজনীক মাৰিবলৈ বুদ্ধি বুধি আঁটিছিলে। তাই কি বুলি চিলনীজনীক মাতে সেইটো সিহঁতৰ ভিতৰৰ এজনীয়ে লোকা দি

লুকাই থাকি শিকি লৈ এদিন গোহালি ঘৰৰ ভিতৰত সোমাই চিলনীৰ জীয়েকৰ নিচিনাকৈ মাতিলত, চিলনীজনী আহি তাইৰ আগতে পৰিল। তেতিয়াই আই চিলনীজনীক পূৰ্ণহতীয়াকৈ ধাঢ়নীৰে কোব মাৰি, মাৰি পেলাই গোবৰৰ তলত পুতি থলে। চিলনীৰ জীয়েকে এই কথাৰ ভুং-সূত্ৰকে নাপালে। ইয়াৰ পিচত চিলনীৰ জীয়েকে মাকক বিনাই-বিনাই কওঁআৰ মাতিলে, কিন্তু মাক আৰু ক'ৰপৰা আহিব? সতিনীয়েকহঁতে কিবা বুধি কৰি চিলনীজনী মাৰিলে বুলি তেতিয়া চিলনীৰ জীয়েকে বুজিব পাৰি কেঁকুৰি কেঁকুৰি কান্দিবলৈ ধৰিলে।

ইয়াৰ কিছুমান দিনৰ পিচত সদাগৰ বেপাৰ কৰিবলৈ যাবলৈ ওলাল। যাবৰ সময়ত সদাগৰে সাতোজনী বৈণীয়েকক দচাই কলে, সিহঁতে যেন চিলনীৰ জীয়েকক দুখ নিদি ভালকৈ ৰাখে।

এদিন বুঢ়ে এটাই কণি, আৰ্চী, সেন্দুৰ, খুৰীখাচি, গোন্ধতেল আদি বেচিবলৈ বুলি সদাগৰৰ ঘাটতে তাৰ নাও বান্ধিলেহি। সদাগৰৰ বৈণীয়েকহঁতে সিহঁতৰ চকুৰ-কুটা দাঁতৰ শাল চিলনীজীয়েকক সেই বুঢ়েটোকে বেচিবলৈ মনে মনে আলচি বুঢ়েটোৰ পৰা কিছুমান বস্তু কিনি সেইবোৰৰ বেচৰ বাবে তাক এজনী ৰূপহী ছোৱালী দিম বুলি কলে। এই ছোৱালীজনীৰ ৰূপ-গুণ সিহঁতে বুঢ়েটোৰ আগত এনেকৈ বৰ্ণাইছিল যে বুঢ়েৰ লোভ লাগি বস্তুৰ বেচত মাৰি ছোৱালীজনীকে লৈ যাবলৈ সি মান্তি হল। চিলনীৰ জীয়েকক সতিনীয়েকহঁতে কলে,— "আমাৰ ঘাটত এটা বুঢ়েয়ে এনাও বঢ়িয়া বস্তু বেচিবলৈ আনি নাও বান্ধি আছেহি। আমি চাই-মেলি তাৰপৰা কিছুমান বস্তু কিনি আনোগৈ আহ।" চিলনীৰ জীয়েকে কলে—"আইহঁত, মোক একো নালাগে। তোমালোকেই যোৱা, মই নাযাওঁ। মোক দেখিলে কলেকো যাবলৈ হাক দি গৈছে।" সিহঁতে তাইক নানা ৰকমে বুজাই মেখানেপেখাকৈ ধৰাত শেহত আই খেৰোপেৰোকৈ সিহঁতৰ লগতে গৈ ঘাট পালেগৈ। সিহঁতে বস্তু চোৱাৰ সাচতে চিলনীৰ জীয়েকক বুঢ়েৰ নাৱত তুলি দিলত, বুঢ়েৰে আগেয়ে সিহঁতৰে সৈতে আলচি থোৱা মতে খপ কৰে নাও মেলি দি চিলনীৰ জীয়েকক লৈ গুচি গ'ল।

বুঢ়েৰে চিলনীৰ জীয়েকক লৈ গৈ নিজৰ ঘৰ পোৱালেগৈ। তাত চিলনীৰ জীয়েকক শুকান মাছৰ ৰখীয়া পাতিলে। বৈৰ পাৰতে বুঢ়েটোৰ ঘৰ। চিলনীৰ জীয়েকে ৰাতি দিনে শুকান মাছ ৰখি কাতৰস্বৰে এইদৰে বিনাই আছিল—

"কুমাৰণী আয়ে মোক উটুৱাই দিলে।
চিলনী আয়ে মোক দাঙি ধৰিলে।
সাউদৰ কোঁৱৰে মোক বিয়া কৰালে।
সাত সতিনীয়ে মোক ডোমত বেচিলে।
ডোমে মোক শুকান মাছ ৰখীয়া কৰিলে।"

চিলনীৰ জীয়েকে এইদৰে বিনাই শুকান মাছ ৰখি থাকোতে সেইপিনে সদাগৰ নাৱেৰে উভতাই ঘৰলৈ উভতি আহিছিল। দূৰৰপৰা এই বিননি শুনি সদাগৰে সেইখিনিতে নাও বাখি চিলনীৰ জীয়েকৰ ওচৰলৈ গৈ, তাইৰ কি হৈছে, কিয় কান্দিছে বুলি সুধিলত, সকলো কথা ভাঙি আই সদাগৰক কলে। তেতিয়া সদাগৰে তাইৰ আগত নিজৰ চিনাকি দি তাইক নাৱত তুলি গা-পা ধুৱাই ন বিহা-মেখেলা পিন্ধাই লৈ গুচি আহিল। নাৱতে চিলনীৰ জীয়েকক সদাগৰে এটা কাঠৰ পেৰাত সুমাই থৈ আই উশাহ লবলৈ পেৰাটোত এটা বিন্ধা কৰি দিছিল। সদাগৰে ঘৰ পাই তেওঁৰ আনবোৰ বয়-বস্তুৰে সৈতে পেৰাটোও তেওঁৰ শোৱনি ঘৰত সুমাই থলে। সাতোজনী বৈণীয়েকক আগত দেখি সদাগৰে সুধিলে—"তহঁতে এটাইকেইজনীক দেখিবলৈ পাইছোঁ। কিন্তু চিলনীৰ জীয়েকক নাই পোৱা কিয়?" সিহঁতে উত্তৰ দিলে, "তাই আজি ভালেমান দিন হল মাকৰ ঘৰলৈ গল, উভতি অহাই নাই।" এই কথা শুনি সদাগৰে সিহঁতক কলে, "মোৰ মনে ধৰিছে তহঁতে তাইক কিবা কৰিলি। থাকু তহঁতে সঁচা কথা কৈছ নে মিছা কথা কৈছ মই তহঁতক এতিয়াই পৰীক্ষা কৰিম।" এই বুলি এটা দ গাঁত খনাই তাত জেং আৰু কাঁইট পুতি এডাল এৰী সূতা গাঁতটোৰ ইপাৰৰ পৰা সিপাৰলৈ বান্ধি দি, বৈণীয়েকহঁতক কলে,-"যি এই সূতাৰ ওপৰেদি বগাই যাব পাৰিবি, সিয়েই নিৰ্দোষী বুলি জানিম।" এজনী এজনীকৈ ছজনী বৈণীয়েক এৰী-সূতাৰ ওপৰেদি গৈ সূতা ছিগি গাঁতত পৰি মৰিল, কিন্তু সৰুজনী নপৰিল। সেইজনীয়ে সেই সূতাইদি সাতবাৰ অহা যোৱা কৰিলে তথাপি সূতাডাল নিছিগিল; কাৰণ তাই সঁচাকৈ চিলনীৰ জীয়েকক বেচাৰ কথা একো নাজানিছিল। আন সতিনীয়েকহঁতে সেই কাম কৰোঁতে আই ভাত ৰান্ধিছিল।

ইয়াৰ পিচত সদাগৰে তেওঁৰ সেই ছজনী বৈণীয়েকক গাঁততে মাটি দি পুতি থলে আৰু চিলনীৰ জীয়েকক পেৰাৰপৰা উলিয়ালে। তাৰ পিচত চিলনীৰ জীয়েক আৰু সৰুজনী বৈণীয়েকেৰে সৈতে সদাগৰে সুখেৰে ঘৰ কৰি সুখত কাল কটাবলৈ ধৰিলে।

আমাৰ কাপোৰ-কানি ক'লা হল, আমি গুচি আহিলোঁ।

তুলা আৰু তেজা

এটা চহকী খেতিয়কৰ দুজনী ঘৈণীয়েক আছিল; বৰজনী এলাগী, সৰুজনী লাগী। এলাগীৰ এজনী ছোৱালী আৰু এটি ল'ৰা, নাম তেজা আৰু কানাই। লাগীৰ মুঠেই এজনী ছোৱালী নাম তুলা। তুলা তেজাতকৈ বয়সে ডাঙৰ আছিল। লাগীজনীয়ে এলাগী আৰু তাইৰ ল'ৰাটোক আৰু ছোৱালীজনীক বৰ দুখ দিছিল। গিৰিয়েকেও লাগীৰ ভয়ত সিহঁতক মৰম কৰিব নোৱাৰিছিল। সিহঁতে ভাল খাব-পিন্ধিবলৈ নাপায়, ৰাতিপুৱা তেজা আৰু আৰু কানায়ে কৰ্কৰা পঁইতা ভাত এগাল খাই গৰু ৰখিবলৈ গুচি যায় কিন্তু তুলাই মাকে সৈতে তিনি-তেলনি মাৰি খায়, ভাল কাপোৰ-কানি পিন্ধি মহা সুখে থাকে। গিৰিয়েকে হাল-কোৰ বাই দুপৰীয়া ঘৰলৈ আহিলে, লাগী সৰুজনী ঘৈণীয়েকে গিৰিয়েকক তপত ভাত, তপত আঞ্জা, নানা ৰকমৰ ভজা, খৰিকাত দিয়া আদি খাবলৈ দি আল ধৰে; কিন্তু কেতিয়াবা এলাগীয়ে গিৰিয়েকক কাবৌ-কোকালি কৰি খাবলৈ মাতি নি নিজৰ ভঙা ছানিত পঁইতা ভাত, পোৰা মাছ খাবলৈ দিয়ে আৰু গিৰিয়েকে লাগীৰ ভয়ত লুকাই-চুৰকৈ খায় আৰু বৰ তৃপিতি পায়। বাস্তৱিকতে দুপৰীয়া হাল-কোৰ বাই তাৰ পঁইতা ভাত পোৰা মাছ যেনে ভাল লাগে, লাগীৰ তপত ভাত, তপত আঞ্জা তেনে ভাল নালাগে। লাগীয়ে দেখিলে যে লাহে লাহে গিৰি-য়েকে পথাৰৰপৰা আহি এলাগীৰ ঘৰত ভাতখোৱাটো বাঢ়ি আহিবলৈ ধৰিছে। সেইদেখি তাই এলাগীক কেনেকৈ গিৰিয়েকৰ চকুৰপৰা আঁতৰাব এই কথা ভাবিবলৈ ধৰিলে।

এদিন লাগীয়ে এলাগীক জকাই বাবলৈ মাতি লৈ গ'ল। লাগীৰ জকাইত কেকোৰা, কুচিয়া, আঙুলিচেপা আদি উঠিল, এলাগীৰ জকাইত কুৰি, চেনি, লাচোম, ভাঙোন আদি ভাল ভাল মাছ উঠিল। এনে হোৱা দেখি এলাগীৰ ওপৰত লাগীৰ সেখে খং উঠিল। জকাই বাই উঠি দুয়ো গা-ধুবলৈ বুলি এটা বৰ পুখুৰীৰ দলঙত বহিল। লাগীয়ে এলাগীক কলে, "বাই, মোৰ পিঠিখন ভালকৈ ঘঁহি দিয়া, মোকা আৰু মলিয়ে টাটৰি মাৰিছে। মোৰ ঘঁহা হৈ গলে তোমাৰ পিঠিখনো মই ঘঁহি দিম।" লাগীৰ কথা শুনি এলাগীয়ে লাগীৰ পিঠি ঘঁহি দিয়াৰ পিচত লাগীয়ে এলাগীৰ পিঠি ঘঁহিবলৈ ধৰিলে আৰু ঘঁহি থাকোঁতেই "বৰকাছ হগৈ" বুলি তাই মন্ত্ৰ মাতি এলাগীক হেঁচা মাৰি পুখুৰীত পেলাই দিলে। তাৰ পিচত এলাগীৰ জকাইখন তাই পচকি ভাঙি হাবিলৈ দলিয়াই পেলাই দি ঘৰলৈ গুচি আহিল। এই কথা কোনেও নেদেখিলে, কোনেও নাজানিলে। মাকক নেদেখি এলাগীৰ ল'ৰা-ছোৱালী হালে সুধিলে, "মাহী, মাহী, আমাৰ আই কলৈ গ'ল দেখিছিলা নে?" মাহীয়েকে সিহঁতক জোকোৰা মাৰি কলে, "মই কেনেকৈ কম? তহঁতৰ মাৰ কলৈ যায় কিবা মোক সুধি যায় নে?" গিৰি-য়েকেও লাগীৰ ভয়ত এলাগীৰ বৰকৈ বিচাৰ নকৰিলে। সি ভাবিলে তাই কৰবাত কিবা হৈ মৰিল। ল'ৰা-ছোৱালী হালে মাকক বিচাৰি বিচাৰি কতো নাপাই কান্দিকাটি থাকিল। পিছদিনা পুৱা সিহঁতে নিয়মমতে গৰু ৰখিবলৈ গ'ল, কাৰণ নগৈ বহি থাকিলে লাগীৰ হাতত সিহঁতে গালি আৰু মাৰ খাবই লাগিব।

এইদৰে সিহঁতে মাকৰ বেজাৰত কান্দিকাটি গৰু ৰখি ফুৰোঁতে এদিন ৰ'দত সিহঁতৰ বৰ পিয়াহ লাগিল, সেই বৰ পুখুৰীটোৰ পৰা পানী খাবলৈ গ'ল। ভৰ দুপৰীয়া সকলো নিমাত আৰু পুখুৰীৰ পাৰ নিজান। এনেতে সিহঁতৰ মাক বৰ কাছজনীয়ে পানীৰপৰা বামলৈ উঠি আহি সিহঁতক মাতিলে, "মোৰ মইনা তেজা আৰু কানাই, মাহীয়েৰে মোক ইয়াতে গতা মাৰি পেলাই বৰ কাছ হ বুলি বৰ কাছ কৰি গুচি গ'ল। তহঁতৰ মুখ শুকাই আছে, তহঁতে একো খোৱা নাই। মই জল-কুঁৱৰীৰপৰা পৰমান্ন আনিছোঁ, তহঁতে কচুপাত দুটা ছিঙি আনি এই পৰমান্ন খা। কিন্তু এই কথা তহঁতে কাকো নকবি। মাহীয়েৰে গম পালে মোক মাৰি পেলাব। দিনৌ দুপৰীয়া মই তহঁতক পৰমান্ন খাবলৈ দিম, তহঁতে আহি এইদৰে খাই যাবিহি।" মাকৰ কথা শুনি দুয়ো কচুপাত দুটা ছিঙি আনি পাতি এই পৰমান্ন খাই গৰু চৰাই আঁতাই ঘৰলৈ গুচি আহিল। সিহঁতে নিতৌ এইদৰে পুখুৰীৰ পাৰত পৰমান্ন খাই চিকুণ হৈ উঠিল। মাহীয়েকে সিহঁতৰ শ্ৰী দেখি ভাবিলে, "মই ইহঁতক ভালকৈ খাবলৈ নিদিওঁ অথচ ইহঁত দিনে দিনে চিকুণ হৈহে আহিছে। ইহঁতৰ মুখৰ বৰণ কেচা সোণ যেন হৈছে। মোৰ তুলাক ইমানকৈ খুৱাওঁহে খুৱাওঁ তেও দেখোন তাই এনে হব নোৱাৰে। ইয়াৰ কাৰণ কি? ইহঁতে গৰু চৰাবলৈ যাওঁতে নিশ্চয় কৰবাত কিবা খায়।" ইয়াকে ভাবি তাই পিছ দিনা তুলাক সিহঁতৰ লগত গৰু চৰাবলৈ পঠিয়াই দিলে, তেজা আৰু কানায়ে ক'ত কি খায় চাই থাকিবলৈ মনে মনে শিকাই দিলে। সেইদিনা তেজা, কানাই আৰু মাক বৰ কাছ মহা আহুকালত পৰিল; কাৰণ তুলাই তেজা আৰু কানাইৰ লগকে নেৰে। তেজাই এবাৰ বুলি

কৰি তুলাক দুবৰপৰা এটা গৰু খেদি আনিবলৈ ক'লত, তুলাই গৰুটো খেদি আনিবলৈ গল। তুলা আঁতৰি গলতে তৎক্ষণাৎ বৰ কাছুজনী ওলাই সিহঁত দুয়োকো খাবলৈ দি গুচি গল আৰু সিহঁতে লবালবিকৈ খাই পাত দুখন দলিয়াই পেলালে। ঠিক এনে সময়তে তুলাই দুবৰপৰা সিহঁতে কিবা খোৱা যেন দেখি লৰি আহি কলে, "তহঁতে কি খালিহঁক, মই কাবৌ কৈ মাতিছোঁ, মোক দে।" তুলাৰ কাবৌ এৰাব নোৱাৰি সিহঁতে তুলাক কলে, "আৰু তো একো নাই বাৰু তই সেই পাতখনকে চেলেক, কিন্তু এই কথা মাৰৰ আগত নকবি, কলে আৰু তোক কেতিয়াও খাবলৈ নিদিওঁ।" তুলাই পাত দুখন বুটলি আনি চেলেকিবলৈ ধৰিলে। সেইদিনা তুলা ঘৰলৈ উভতি আহিলত, মাকে তুলাবো মুখখন পকা সুৰথিৰা টেঙাটো যেন হৈ অহা দেখি বুজিলে যে তায়ো সিহঁতৰ লগতে আজি কিবা খালে। তুলাক মাকে লবালবিকৈ ভিতৰলৈ মাতি নি সুধিলে—"সিহঁতৰ লগত তই কি খালি ক?" তুলাই কোনোমতে নকয়, শেহত মাকে তাইৰ চকুত মৰিচ সানি দিবৰ ভয় দেখুৱালত, তাই সৈ কাঢ়ি সকলো কথা কৈ দিলে। মাকে তেতিয়া বুজি উঠিল যে ৰৰকাছ হোৱা তাইৰ সতিনীয়েকেহে পুতেক-জীয়েকক কিবা খাবলৈ দিয়ে। ইয়াকে বুজি তাই ৰৰকাছুজনী মাৰিবলৈ বুধি পাতিলে। তাই শোৱপাটীৰ তলত খোলাকাটি কিছুমান থৈ তাইৰ নৰিয়া হৈছে বুলি শুই থাকিল। গিৰিয়েকে কি হৈছে বুলি তাইক সুধিলত, তাই উস-আস কৰি ইকাতি-সিকাতি কৰে আৰু খোলাকাটি বাৰ মেৰ মেৰাই উঠে। গিৰিয়েকে অনেকবাৰ সুধিলত তাই কলে, "উস্! মোৰ বৰ নৰিয়া। মোৰ হাড়ে-মূৰে ভাঙি যাবলৈ ধৰিছে। মোৰ প্ৰাণ যাব।" ঘৈণীয়েকৰ অৱস্থা দেখি গিৰিয়েকে বৰ ভয় খাই মঙ্গলতী বুঢ়ীক মাতি আনি, ঘৈণীয়েকৰ নৰিয়া কি কৰিলে ভাল হব সুধি মঙ্গল চোৱালে। মঙ্গলতীক লাগীয়ে আগেয়েই ৰূপ-ধান খুৱাই শিকাই থৈছিল যে, "তোক মোৰ গিৰিহঁতে মঙ্গল চাবলৈ মাতিলে তই কবি যে, ৰৰপুখুৰীত থকা ৰৰ কাছুজনী মাৰি খুৱালেহে মোৰ নৰিয়া ভাল হব।" মঙ্গলতীয়ে সেই শিকনিমতেই মঙ্গল চাই কলত, গিৰিয়েকে সকলো বাইজক ৰৰপুখুৰীৰ কাছুজনী ধৰি দিবৰ নিমিত্তে ভাবনা কৰি কলে। বাইজে সপ্ৰত হৈ পল, জুলুকি, জাল লৈ কাছ ধৰিবলৈ আহিল। বাইজ অহাৰ আগেয়েই এই কথা ভু পাই ল'ৰা-ছোৱালীহালে মনে মনে কান্দি কান্দি মাক ৰৰকাছক সেই বাতৰি ক'লত, মাকে সিহঁতক কলে— "মই কাবো আজ পলত মৰবোঁ। সিহঁতে যেতিয়া মোক ধৰিব নোৱাৰি ভাগৰি উঠি যাব, তেতিয়া তহঁতে ভগা জকাই এখন লৈ আহিবি, মই তাতে উঠিম। কিন্তু মোক মাৰি যেতিয়া মোৰ মঙহ ৰান্ধি তহঁতক খাবলৈ দিব, তহঁতে নাখাবি, তহঁতে সেইদিনা তেল-খাৰণীৰে ভাত খাই থাকিবি। মোৰ আগ-হাতোৰা দুটা তহঁতে কাছ বাছোঁতাক খুজি লৈ এই পুখুৰীৰ পাৰতে পুতি থবি, তাতে মই এজোপা জবা ফুলৰ গছ হৈ থাকিম। সেয়ে তহঁতক দুখত তাৰিব।" এই বুলি সিহঁতক বুজনি দি মাকে পঠিয়াই দিলে।

কাছ ধৰিবৰ মনেৰে গঞা মানুহ গৈ পুখুৰীত নামিল। পল, জুলুকি, জাল বাই পানী ঘোলা কৰিলে, কিন্তু কোনেও কাছ ধৰিব নোৱাৰিলে। শেহত ভাগৰি সকলো পাৰত উঠিলত তেজা আৰু কানায়ে ভগা জকাই এখন লৈ গৈ বাইজক কলে যে "আমি এই জকাইৰেই কাছ ধৰি দিব পাৰোঁ।" বাইজে সিহঁতৰ কথা শুনি হাঁহি খিকিন্দালি মাৰি কলে, "বাৰু অ' ভেটোওটি দুটাই কাছ ধৰে হেনো! বাৰু ধৰচোন চাওঁহক!" ইয়াৰ পিচত তেজাই জকাই খনেৰে দুচাৰ কি চাৰি চাৰ মাৰিলতে কাছ জকাইত উঠিল। বাইজে দেখি আচৰিত মানিলে।

ইফালে লাগীয়ে যেতিয়াই সেই ৰৰকাছ ধৰা পৰিছে বুলি শুনিলে তেতিয়াই গা ভাল পাইছোঁ বুলি শোৱাপাটীৰপৰা উঠি বহিল। ৰৰকাছুজনী চোতালত পেলাই কাটি থাকোতেই ল'ৰা-ছোৱালী হালে কাছ কাটোতাক খুজি আগ-হাতোৰা দুটা লৈ মনে মনে পুখুৰীৰ পাৰত পুতি থলেগৈ। সকলোৱে কাছৰ আঞ্জাৰে ভাত খালে, কিন্তু তেজা আৰু কানায়ে ভাতৰ পাতৰ তলত গাঁত খান্দি লৈ সেইবোৰপুতি থৈ তেল-খাৰণী খুজি লৈ তাৰে ভাত খাই উঠি গুচি আহিল।

সিহঁতে পুখুৰীৰ পাৰত য'ত সেই হাতোৰা দুটা পুতি থৈছিল, তাতে এজোপা জবাটেঙা আৰু এজোপা জবাফুলৰ গছ হ'ল। জবা গছজোপা সুন্দৰ মনোমোহা জবা ফুলেৰে জকমকাবলৈ ধৰিলে আৰু জবাজোপাতো সুন্দৰ জবাটেঙা উপচি লাগিল। তেজা আৰু কানায়ে নিতৌ গৰু চৰাবলৈ গৈ সেই গছ দোজোপাৰ তলতে বহি জিৰাই মাকৰে সৈতে কথা পাতি থাকে।

এদিন সেই দেশৰ এজন ৰজাই দোলা হাতী ঘোঁৰাৰে সেইপিনে যাওঁতে জবাগছজোপাত জবাটেঙা লাগি থকা দেখি তেওঁৰ খাবৰ মন গলত আৰু সুন্দৰ জবাফুল গোটাচেৰেক আনি পিন্ধিবৰ মন গলত, তেওঁ সেইখিনিতে দোলা হাতী ৰখাই মন্ত্ৰীক ফুল আৰু টেঙা আনিবলৈ পঠিয়াই দিলে। ল'ৰা-

ছোৱালীহালে মন্ত্ৰীক দেখি কলে যে "জবা আৰু জবা আমাৰ। ৰজাই নিজে আহি আমাক খুজিলেহে আমি দিম।" মন্ত্ৰীৰ মুখৰপৰা ৰজাই এই কথা শুনি সুন্দৰ ন'বা-ছোৱালীহাল দেখি সিহঁতলৈ মৰম লাগি নিজে দোলাৰপৰা নামি আহিল। কানায়ে ৰজাৰ আগত আঠু লৈ কলে—"যদি স্বৰ্গদেৱে মোৰ এই তেজা বাইদেউক বিয়া কৰি নিয়ে, তেনেহলে হে আমি স্বৰ্গদেৱক টেঙা আৰু ফুল দিম।" ছোৱালীৰ সুন্দৰ ৰূপ দেখি ৰজাৰ মোহ লাগিছিল, সেইদেখি তেওঁ কলে, "বাৰু একো কথা নাই, মই তোমাৰ তেজা বাইদেৰক বিয়া কৰি নিম, কিন্তু তেওঁ এতিয়া সৰু ছোৱালী, তেওঁ ডাঙৰ হওক, হলে মই নিশ্চয় বিয়া কৰাই লৈ যামহি।" তেজাই এটা মইনা চৰাই পোৱালী পুহিছিল; গৰু চৰাওঁতে সদায় তাক লগত লৈ পোক, পৰুৱা, ফৰিং খুৱাই ফুৰে। কানায়ে এটা ডালিম-পুলি আৰু সেই মইনা চৰাইটো ৰজাক দি কলে, "স্বৰ্গদেউ, আমি দুখীয়া মানুহলৈ স্বৰ্গদেৱে কিজানি পাহৰি যাব, সেইদেখি- এই ডালিম পুলিটি আৰু মইনা চৰাইটো স্বৰ্গদেৱক দিলোঁ, স্বৰ্গদেৱে লৈ যাওক; ডালিম গছজোপাত যেতিয়া ডালিম পকিব আৰু মইনা চৰাইটোৱে মাত লব, তেতিয়া স্বৰ্গদেৱে আহি তেজাক বিয়া কৰাই লৈ যাব লাগিব।" ৰজাই সেই কথাত মান্তি হৈ জবাটেঙা জবাফুল, ডালিমৰ পুলি আৰু মইনা চৰাই লৈ নিজৰ নগৰলৈ গুচি গ'ল। ওপৰত কোৱামতে ৰজাক কবলৈ তেজা আৰু কানাইৰ মাকে আগেয়ে কানাইক শিকাই থৈছিল। সেইদেখি কানায়ে সেইদৰে কব পাৰিছিল। ৰজাই ডালিম পুলিটো তেওঁৰ শোৱা ঘৰৰ ওচৰতে ৰুলে আৰু মইনাটো এটা সোণৰ সজাত সুমাই ঘৰৰ পিৰালিতে আঁৰি দিলে।

এইদৰে কিছুকাল গ'ল। লাহে লাহে ডালিম পুলি ডাঙৰ হল। ডালিমে ফুল ধৰিলে; কলি পেলালে আৰু আজিকালিকৈ ডালিম কলি ডাঙৰ হল, হৈ পকিল। ইফালে তেজাও গাভৰু হল। মইনাইয়ো কলকলালে; তাৰ পিচত মাত ললে। তথাপি তেজাৰ কথা ৰজাৰ মনত নপৰিল। এদিন ৰজাই খাই-বই উঠি তামুলীচ'ৰাত বহি জিৰাইছে এনেতে সেই মইনাটোৱে মাত লগালে—

"এজাৰ জিজাৰ পৰিল
ডালিম পকি সৰি গ'ল।
মইনায়ো লগালে মাত।
কিনো ৰজা ভোল গ'ল।
তেজা বাই গাভৰু হল।"

ৰজাই কিহে মাতিছে বুলি ঘূৰিপকি চাই একো নেদেখি, বহি থাকিল। এনেতে আকৌ মইনাই মাত লগালে—

"ডালিম পকি সৰি গল।
তেজা বাই গাভৰু হল।
তেওঁ ৰজাৰ মনত নহল॥"

এইবাৰ ৰজাই পদ কেইফাকি শুনি চাঁতকৰে তেজাৰ কথা তেওঁৰ মনত পৰিল। উঠি গৈ ৰজাই দেখিলে ডালিম গছত ডালিম পকি আছে। তেতিয়াই ৰজাই সাজপাৰ পিন্ধি টেকেলা-বেঙেনা, লগুৱা-লিকচৌ লগত লৈ তেজাক বিয়া কৰাই আনিবলৈ গ'ল কিন্তু ৰজাই তেওঁৰ ৰাণীক এই কথাৰ একো নোকোৱাকৈ গল। ৰজা ওলাই গলতে ৰাণীয়ে নিজৰ বুঢ়ী বেটীজনীক সুধিলে, "বাই, ৰজা কলৈ গল, তই কব পাৰ নে?" বুঢ়ীয়ে উত্তৰ দিলে, "পাৰোঁ তো। ৰজাই কি কৰে, কলৈ যায়, তুমি হে ভু নোপোৱা, আমি ভু পাওঁ। বো'লা ভেলেকী আই, ৰজাই তোমালৈ সতিনী আনিবলৈ গৈছে। শুনিছোঁ চহকী খেতিয়ক এটাৰ তেজা নামৰ ছোৱালী এজনী আছে, তাইকে ৰজাই আনিবলৈ গৈছে।" বুঢ়ী বেটীৰ কথা শুনি ৰাণীয়ে হৰাওৱাৰে কান্দিবলৈ ধৰিলে। বুঢ়ীয়ে কুঁৱৰীক বুজনি দি কলে, "আই তুমি নাকান্দিবা, মই বুধি দিওঁ শুনা, তুমি সেই মতেই কাম কৰা। কাইলৈ যেতিয়া ৰজাই তেজাক লৈ নৈৰ ঘাটত নাও চপাব, তেতিয়া তুমি সেইটো ঘাটতে বহি থাকি সেই বাটে তেজাক নামিব নিদিবা আৰু তাই যেনিয়েই নামিবলৈ খুজিব তেনিয়েই বাধা দিবা। তথাপি কিজানি নামি আহে সেইদেখি আজিয়েই আৰু এটা বুধি কৰি লোৱা,—ঘৰৰ দুৱাৰমুখতে দুটা কলপুলি ৰুই দুইটাৰ গুৰি কাটি এনেকৈ সেই দুটা থিয় কৰি থবা যেন তেজাৰ গাৰ কাপোৰ বা হাত লাগিলেই দুইটা পৰি যায়। ঘৰৰ দুৱাৰৰ পোনাৰ-গাঁথি এনেকৈ কাটি থবা যেন তেজাই ছুলেই সি সুলকি যায়। বহা পীৰাৰ খুৰা এনেকৈ ভাঙি থবা, তেজাই তাৰ ওপৰত বহিলেই যেন খুৰা ভাঙি যায়, শোৱা চালপীৰাৰ খুৰাও সেইদৰে ভাঙি লগাই থবা যেন ৰজা তেজাৰ লৈতে তাত শুবলৈ গলেই সি ভাঙি পৰে। ইয়াকে কৰিলে, ৰজাই তেজাক অবজনীয়া জিবোজা বুলি খেদি দিব।"

বুঢ়ীৰ বুধি শুনি ৰাণীয়ে তাকে কৰিলে। সিফালে ৰজাই গৈ তেজাক বিয়া কৰালে। তেজাই বাপেকৰ ঘৰৰ পৰা ওলাই আহিবৰ সময়ত বাপেকক মিনাই মিনাই এইদৰে বৰ খুজিলে—

"আইৰে দিনৰে ছকুৰি জপা,
তাৰে তিনিকুৰি মইহে পাওঁ।
আইৰে দিনৰে ছকুৰি পেৰা,
তাৰে তিনিকুৰি মইহে পাওঁ।
আইৰে দিনৰে ছকুৰি বাটি,
তাৰে তিনিকুৰি মইহে পাওঁ।
আইৰে দিনৰে ছকুৰি গৰু,
তাৰে তিনিকুৰি মইহে পাওঁ।
আইৰে দিনৰে ছকুৰি ম'হ,
তাৰে তিনিকুৰি মইহে পাওঁ।"

তেজাই এইদৰে বিনাই থাকোতে মাহীয়েকে তেজাক ভেকাহি মাৰি কলে, "মই কুটা এগছকে তোক নিদিওঁ।" তাৰ পিচত ৰজাই তেজাক লৈ নিজৰ নগৰলৈ গুচি আহিল। আহিবৰ সময়ত মনত বেজাৰ লাগি তেজাই কাকো নামাতি মাখোন ভায়েকক এইদৰে মাতি লগত লৈ আহিল—

"আইৰে দিনৰে একেটি ভাই,
সিও মোৰ লগতে যায়।"

তেজাই পিচলৈ নোচোৱাকৈ আহিবলৈ ধৰিলে। যেতিয়াই তেজাই পিচলৈ নোচোৱাকৈ গুচি আহিল, তেতিয়াই তেজাৰ বাপেকৰ ঘৰৰ সকলোবোৰ বস্তু তেজাৰ পিছে পিছে আহিবলৈ ধৰিলে। বাপেকে দেখিলে সৰ্ব্বনাশ। তেতিয়াই বাপেকে বিনাই তেজাক মাতিলে—

"হেৰ মোৰ মৰমৰ তেজা।
এবেলি পাছলৈ চা।
হেৰ মোৰ লাহৰী তেজা।
এবেলি পাছলৈ চা।"

বাপেকৰ বিননি শুনি অলপ কেবাহি কৰি চালত, চাৰি ভাগৰ এভাগ বস্তু তেজাৰ লগত আহিল। এইদেখি আজিও জীয়ৰী ছোৱালী উলিয়াই দিওঁতে তাই বাপেক-মাকৰ ফালে উলটি চাই যায়; নাচালে বাপেকৰ ঘৰৰ সকলোবোৰ বস্তু হেনো তাইৰ লগতে যায়।

বুঢ়ীয়ে আগেয়ে শিকাই থোৱা দৰে ৰাণী গৈ নাও চপা ঘাটতে বহি আছিল। তেজাৰ নাও যেতিয়া ঘাট চাপিলহি, তেতিয়াই ৰাণীয়ে মাত লগালে—

"এইপিনে নুঠিবি শাঁখিনী তেজা,
ৰজাই গা ধোৱা ঘাট।"

এই কথা শুনি তেজাই আন এটা ঘাটে উঠিবলৈ গ'লত, ৰাণীয়ে আকৌ মাত লগালে—

"এইপিনে নুঠিবি শাঁখিনী তেজা,
ৰজাৰ চাঙৰ ধোৱা ঘাট।"

এইদৰে যেনিয়েই তেজা উঠিবলৈ যায় তেনিয়েই ৰাণীয়ে বাধা দিবলৈ ধৰিলে। এনেতে ৰজা আহি পালেহি। ৰজাক দেখি তেজাই বিনাই কলে—

"শুনা শুনা নৃপতি ৰজা,
ৰাণী বাই বুলিছে শাঁখিনী তেজা॥"

ৰজাই কলে—"বোলকে বোলকে শাঁখিনী তেজা।
তুমি হবা মাদৈ, মই হম ৰজা॥"

এইবুলি ৰজাই তেওঁৰ গা ধোৱা ঘাটেদিয়েই তেজাক তুলি আনিলে। ইপিনে কুঁৱৰীও নবা-লৰিকৈ আহি ঘৰ সোমাল। তেজাই ঘৰৰ দুৱাৰমুখ পাই কলপুলিৰ তলত খিয় হওঁতেই তেজাৰ গাৰ কাপোৰৰ আচল লাগি কলপুলি দুটা পথি গ'ল। তাকে দেখি কুঁৱৰীয়ে মাত লগালে—

"ক'ৰপৰা আহিলি শাঁখিনী তেজা।
আহিয়েই ভাঙিলি কলপুলি দুটা॥"

তাৰ পিচত তেজা ঘৰ সোমাওঁতেই ঘৰৰ দুৱাৰৰ-পোলাত তেজাৰ হাত লাগি পেলাচো মূলাক পৰি ডাল ডাল হল। কুঁৱৰীয়ে মাত লগালে—

"ক'ৰপৰা আহিলি শাঁখিনী তেজা,
আহিয়েই ভাঙিলি দুৱাৰৰ পোলা।"

ইয়াৰ পিচত তেজা ৰৰপীৰাত বহোঁতেই ৰৰ-পীৰাৰ খুৰা ভাগি পৰিলত, কুঁৱৰীয়ে মাত লগালে—

"ক'ৰপৰা আহিলি শাঁখিনী তেজা,
আহিয়েই ভাঙিলি ৰৰপীৰাৰ খুৰা॥"

ৰাতি তেজাই চালপীৰাত শুবলৈ যাওঁতে সেইদৰে চালপীৰাৰ খুৰা ভাগি পৰিল আৰু চালপাৰা ভগাৰ শব্দ শুনি কুঁৱৰীয়ে মাত লগালে—

"ক'ৰপৰা আহিলি শাঁখিনী তেজা,
আহিয়ে ভাঙিলি চালপীৰাৰ খুৰা॥"

এইবোৰ কথা শুনি তেজাৰ মনকৈ বেজাৰ লাগি তেজাই বিনাই বিনাই ৰজাক কলে—

"শুনা শুনা শুনা নৃপতি ৰজা।
ৰাণী বাই বুলিছে শাঁখিনী তেজা॥"

ৰজাই পেটে পেটে এইবোৰ ৰাণীৰ দুষ্টালি বুলি ভালকৈ বুজিব পাৰি উৰাই দি তেজাক কলে—

"বোলকে বোলকে শাঁখিনী তেজা।
তুমি হবা মাদৈ, মই হম ৰজা॥"

ইয়াৰ পিচত তেজা ৰজাৰ কুঁৱৰী হৈ ৰজাৰ ঘৰ শুৱাই থাকিল। ইপিনে মাহীয়েকৰ হিংসাত ভৌপদি

নাই যে তেজা ৰজাৰ কুঁৱৰী হ'ল আৰু তাইৰ নিজৰ জীয়েক তুলা হব নোৱাৰিলে। মাহীয়েকে সেইদেখি পেটে পেটে এটা বুধি সাজি এদিন ৰজাৰ ঘৰলৈ গৈ ৰজাৰ আগত তেজালৈ বৰ মৰম দেখুৱাই কলে— "ইমান দিন হল ছোৱালীজনী মাক-বাপেকৰ ঘৰলৈ যাবলৈ পোৱা নাই, বপুৰীৰ চাগৈ বৰ হেঁপাহ লাগি আছে। বাপেকে দিনে ৰাতিয়ে খেতি বাতিতেই মন পুতি থাকে, ঘৰৰ আন কথাৰ খবৰকে নকৰে। ছোৱালীজনী দেখিবলৈ নাপাই মোৰো মনটো হম-হমাই আছিল, সেই দেখি মই নিজেই আজি তাইক দিনচেৰেকলৈ নৈ যাবলৈ আহিলোঁ।" তেজাৰ মাহীয়েকৰ কথা শুনি ৰজাই তেজাক মাহীয়েকৰ লগত পঠিয়াই দিলে। তেজাক লগত লৈ মাহীয়েকে নিজৰ ঘৰ পালেহি। আহিবৰ সময়ত তেজাই ৰজাৰ ঘৰতে জালি-তাঁত এখন এৰি থৈ আহিছিল।

তেজাক যদিও মাহীযেকে ৰৰকৈ আতো-পুতো কৰি খুৱাই-বুৱাই ৰাখিছিল কিন্তু দিনে-ৰাতিয়ে তাই চেলু নিবিচাৰি নাছিল।

এদিন মাকৰ শিকনিমতে তুলাই তেজাক কলে, "ভনীটি, তোমাক ৰজাই দিয়া খাৰু, মণি, থুৰিয়া-বোৰ কেনে ধুনীয়া, এবাৰ মোক পিন্ধি চাবলৈ দিবানে?" তেজাই কথাষাৰ ভাল ভাবে বুজি কলে, "পিন্ধা, পিন্ধি চোৱা, কিনো হল পিন্ধিলে।" এই বুলি তেজাই নিজৰ হাতৰ-কাণৰ অলঙ্কাৰবোৰ সোলোকাই তুলাক পিন্ধাই দিলে। এনেতে মাহী-যেকে ওচৰলৈ আহি তেজাক কলে, "অ'ই আইচোন, তোৰ ওকণী চাওঁ আৰু মূৰটো আঁচুৰি দিওঁ।" এইবুলি মাহীয়েকে তেজাক লৈ ওকণী চাবলৈ বহিল। ওকণী চাই থাকোতে হঠাৎ এবাৰ মাহীযেকে এডাল সৰু লোৰ শলা লৈ মন্ত্ৰ মাতি তেজাৰ মাজ মূৰতে মাৰি দি কলে, "তই শালিকী চৰাই হ।" তেতিয়া তেজা শালিকী এটা হৈ উৰি ঘৰৰ চালত পৰিলগৈ।

এই ঘটনাৰ পিচদিনা ৰজাই তেজাক লৈ যাবলৈ দোলা মানুহ পঠিযাই দিলত, তেজাৰ মাহীয়েকে তুলাকে তেজাৰ ৰিহা-মেখেলা, কাপোৰ-কানি, অলঙ্কাৰ-পাতি পিন্ধাই দি ঠিক তেজা যেনকৈ সজাই ৰজাৰ ঘৰলৈ পঠিয়াই দিলে। তুলাও দেখিবলৈ অনেক গুণে তেজাৰ নিচিনা আছিল। সেইদেখি ৰজাৰ চকুত সেইটো ৰৰকৈ উভঁহা যেন নেলাগিল। আৰু যি অলপ অচৰপ লাগিছিল ৰজাই ভাবিলে, যে মাকৰ ঘৰত এই কেইদিন মুকলিমূৰীয়া হৈ খাই থাকি তেজা তেনে হৈছে। শালিকা চৰাইটিও ৰজাঘৰীয়া দোলা-মানুহৰ লগতে উৰি গৈ ৰজাৰ ঘৰ পাই ৰজাৰ ঘৰৰ চালতে বাহ ললে।

তেজাই বাপেকৰ ঘৰলৈ যাওঁতে এখন পাটৰ কাপোৰ লগাই অলপ বৈ তাঁততে এৰি গৈছিল। তুলাই আহি এতিয়া সেই তাঁত বৰ লগীয়াত পৰিল। কিন্তু তুলাই ভালকৈ কাপোৰ বব নাজানে। এদিন তাঁতৰ পাটত বহি তুলাই তাঁত বৰলৈ গৈ বৰ নাজানি সূতাবোৰ ছিঙি-ভাঙি একাকাৰ কৰিছে দেখি শালিকা চৰাইটিয়ে উৰা মাৰি আহি তাঁতশালৰ চালিত পৰি কবলৈ ধৰিলে—

"নিছিঙিবি নাভাঙিবি মোৰ জালি তাঁত,
ভালে ভালে তুলি থ।"

ৰজাই ওচৰতে বহি আছিল। এই কথা শুনি ৰজাই শালিকাটোৱে কি কয় বুলি কৈ একো ভাবি নাপাই মনে মনে থাকিল।

আন এদিন দুপৰীয়া ৰজা খাই-বৈ উঠি তুলাৰে সৈতে বহি পাশা খেলিছে। এনেতে শালিকাটিয়ে উৰি আহি অলপ দূৰত পৰি মাতিবলৈ ধৰিলে—

"কিনো ৰজা তুমি আভোল-ভোল হলা।
জেশাহুৰে সৈতে পাশা খেলিলা॥"

ৰজাই শালিকাৰ কেল্‌কেলনিলৈ প্ৰথমতে ৰৰকৈ কাণ নকৰি একান্তমনে পাশা খেলিছিল। কিন্তু চৰাইটোৱে আকৌ এবাৰ সেইদৰে মাতিলে—

"কিনো ৰজা তুমি আভোল-ভোল হলা।
জেশাহুৰে সৈতে পাশা খেলিলা॥"

ৰজাই শালিকাৰ কথা শুনি কথাষাৰ মনতে অলপ পৰ গুণিবলৈ ধৰিলে। ৰজাই লাহেকৈ ভিতৰলৈ উঠি গৈ ওলাই আহি এহাতে এটা ভোক লাৰু আৰু এহাতে এটা পিয়াহ লাৰু লৈ শালিকাৰ কালে চাই কলে—"যদি তই আন কোনোবাহে, তেন্তে উৰি আহি মোৰ হাতৰপৰা এই পিয়াহ লাৰুটো লৈ গুচি যাবি আৰু যদি মোৰ কোনোবা আপোন মানুহ হে তেন্তে মোৰ হাততে পৰি এই ভোক লাৰুটো খাহি।" এই বুলি ৰজাই কলত, শালিকাটি উৰি আহি ৰজাৰ হাতত পৰি ভোক লাৰুটো খাবলৈ ধৰিলে। ৰজাই চৰাইটোক মৰম কৰি মূৰত হাত ফুৰাওঁতে তেওঁৰ আঙুলিৰ মূৰত এটা কিবা খহটা বস্তু লাগিলত, তেওঁ ভালকৈ চাই দেখিলে যে সেইটো এডাল সৰু লোৰ শলা। ৰজাই টানি শলাডাল উলিয়াই আনিলতে শালিকাটি শালিকা গুচি তেজা হল। ৰজা অবাক।

তাৰ পিছত ৰজাই তেজাৰ মুখৰপৰা, আগৰে-পৰা গুৰিলৈকে তেজাৰ মাহীয়েক আৰু তুলাৰ সকলোবোৰ বৃত্তান্ত শুনি তেতিয়াই চাওতাঙক হুকুম দিলে যে সি তুলাক কাটি তাইৰ মঙহ এটা টোমত,

হাত ভৰি মূৰ এটা টোমত ভৰাই আৰু এটা চুপিত তেজ ভৰাই আনি ৰজাক দিব লাগে।

ৰজাৰ হুকুম মতে কাম হল। ৰজাই দুটা মানুহৰ হাতত সেই টোম দুটা আৰু চুপিটো তুলাৰ মাকৰ ঘৰলৈ পঠিয়াই দি মানুহ দুটাক শিকাই দিলে যে সিহঁতে তাত কব যে ৰজাই মিতিৰৰ ঘৰলৈ সেই টোম পহুৰ মঙহ পঠিয়াই দিছে আৰু যিটো টোমত তুলাৰ মূৰ আৰু হাত ভৰি আছে সেইটো টোম সিহঁতে নিদি সেই দিনা ৰাতি লগতে ৰাখি পিছদিনা পোকমোকালিতে দুৱাৰ মুখত থৈ গুচি আহিব।

ৰজাৰ মানুহে সেই দৰেই কাম কৰিলে। তেজাৰ মাহীয়েকে বস্তু পাই ৰঙত উৰাও হৈ আপোনা আপুনি কবলৈ ধৰিলে— "মোৰ জী গৈযেই মোলৈ টোপোলা পঠিয়ালে আৰু সিজনীযে ইমান দিন বুটা এগছকে পঠিওৱা নাছিল।"

ৰাতি তুলাৰ মাকে আৰু ঘৰৰ সকলোৱে মঙহৰ আঞ্জাৰে হেপাহ পলুৱাই ভাত খালে আৰু চুপিৰপৰা তেল উলিয়াই চাকি লগালে। ৰজাঘৰীয়া মানুহ দুটাই সেই ৰাতি একো নাখাই শুই থাকিল। তুলাৰ মাকে সিহঁতক খাবলৈ বৰকৈ ধৰিছিল, কিন্তু সিহঁতে সিহঁতৰ বৰকৈ জ্বৰ উঠিছে বুলি কৈ একো নাখালে। ইফালে ৰাতি সকলোবোৰৰে খোৱা হলত, মানুহ দুটাই শোৱাপাটীৰপৰা ৰাগ দি গাবলৈ ধৰিলে —

"কুটুমে ৰান্ধিলে, কুটুমে বাঢ়িলে, কটুমে কুটুমে খালে।
কুটুমৰ তেজেৰে বন্তি জলালে, মজিয়া ভকেভকালে॥"

ভিতৰৰপৰা তুলাৰ মাকে সিহঁতক সুধিলে, —"তহঁতে কি গাইছহঁক ঐ?" সিহঁতে কলে, —"এ আই, জ্বৰ তাপত আমাৰ গিয়ান নাই, কিবা মুখত আহিছে, কিবা গাইছো।"

পিছদিনা পুৱাই তুলাৰ মাক শোৱাপাটীৰপৰা উঠি আহি দেখিলে যে ৰজাৰ ঘৰৰ মানুহ দুটা গুচি গ'ল, আৰু দুৱাৰমুখতে এটা টোম পৰি আছে। তাই টোমটো মেলি চাই তাৰ ভিতৰত তুলাৰ মূৰ আৰু হাত ভৰি দেখি চিনি পাই আগ ৰাতি খোৱা মঙহবোৰ কিহৰ সেইটো ভালকৈ বুজি হুৱাওৱাৰে কান্দিবলৈ ধৰিলে।

— —

কটাবোৱা মাক, খাবাঁধ দি ঢাক

এক ৰজাৰ সাতোটা কোঁৱৰ আছিল, আৰু কোঁৱৰটোৰে পত্নি একোজনীকৈ কুঁৱৰী আছিল। কুঁৱৰীহঁতে সদায় গধূলি ভাত পানী খোৱাৰ সময়লৈকে একেখন মজিয়াতে বহি সূতা কাটে আৰু সাত ভাবত্তৰ কথা উজাৰি মনৰ ভাগৰ পলুৱায়। যঁতৰৰ কেৰ্কেৰণিৰ লগে লগে সিহঁতৰ শাক-খোৱা, ভাত-খোৱা, মাছ-খোৱা, সকলো কথা ওলাই পৰে।

চ'ত মাহ পৰিল। আজিৰ বাদে কাইলৈ ৰহাগ বিহু। ৰব বিহুৰ দিনা গা-পা ধুই আহি চোতালত থিয় হোৱা নিজৰ ল'ৰা ছোৱালীক আৰু গিৰিয়েকক অতি কমেও এড়ুখৰি নিজে বোৱা ন-কাপোৰ সিহঁতে নিদিলেই নহয়, মিতিৰ-কুটুম, লা-লগুৱাৰ তো কথাই নাই। সেইদেখি কুঁৱৰীহঁতৰ গাত তৰ্বাণয়েই নাই— কেনেকৈ নো ফুলাম গামোছা বওঁ, কেনেকৈ এখন মিহি সূতাৰে চুৰিয়া বওঁ, কেনেকৈ এখন চেলেং বওঁ, এইবোৰ ভাবিযেই সিহঁত অস্থিৰ। সিহঁতে দিনৰ দিনটো তাত বৈ ৰাতি এপৰলৈকে পাজি বাটে, সূতা কাটে, মহুৰা ফুৰায়।

আজি সাতোজনী কুঁৱৰীয়ে নিজৰ নিজৰ যঁতৰ আগত লৈ কোনোৱে বা দাঘৰ, কোনোৱে বা ৰাণিৰ সূতা কাটিছে। বিহু পালেহিয়েই বুলিব লগে। ৰৰজনীয়ে সৰুজনীক মাত লগালে—"ৰুকুণীৰ মাক তই এইবাৰ বিহুৰ কেইদিনৰ আগেয়ে মাৰৰ ঘৰলৈ যাবি? মই হলে উৰুকাৰ দিনাহে যাম, মোৰ ৰহতো লেঠা, তাৰ আগেয়ে যাব অভাব নোৱাৰিম। তাৰ উপৰিও ল'ৰা-ছোৱালী এমখা লৈ আইৰ ঘৰত নো কিমান দিন থাকিম গৈ, ভাল নেলাগে চোন। তহঁত তিনি-চাৰি দিনৰ আগেয়ে যাহঁক আই হেৰেই; মই আগেযে ল'ৰা-ছোৱালীৰ মাইকী নোহোৱাত দহ-বাৰ দিনৰ আগেয়েই গৈছিলো। আৰু আমাৰ সেই দিন নাই, আমাৰ খোলা উঠিল।" ৰুকুণীৰ মাকে কলে, "এবা বাই, মোৰো চোন একে গতিয়েই; তোমাতকৈ অলপ হে কম। তেও মই দুদিনৰ আগেয়ে যাম। তই কেইদিনৰ আগেয়ে যাবি গঙাইৰ মাক?" গঙাইৰ মাকে উত্তৰ দিলে, "মই তিনি দিনমানৰ আগেয়ে যাম বুলি ভাবিছো।" গঙাইৰ মাকৰ পিচৰ জনীয়ে কলে,—"মই হলে চাই দিনৰ আগেয়ে যাম; আৰু একেবাৰে গা খালী হলে হে আহিম। গোসাঁয়ে দোমাহীৰ বোৱাত একো বিঘিনি নঘটালেই ভাল হয়। উস্ মোৰ সোণাবুৱা থকাহেঁতেন। সি মোমায়েকৰ ঘৰত কি ৰঙৰেই বিহু খাবলৈ গ'লহেঁতেন। কণা গোসাঁইৰ মোতে হে চকু পৰিল।" এনেতে ধনঞ্জয়ৰ মাকে মাত লগালে—"মই পাঁচ দিনৰ আগেয়ে যাম"। সৰু-ৰাজিউজনীয়ে টপৰাই মাতিলে, "মযো পাঁচদিনৰ আগেয়ে হে যাম, আৰু মোমায়েকৰ ঘৰতে মোৰ চন্দ্ৰৰ মুখত ভাত দিম।"

এটাইকেউজনীয়ে এইদৰে কথা পাতিছে, কিন্তু এটাইতকৈ সৰুজনীয়ে একো মাত্ৰাতি জলালে মুখ

কৰি সূতা কাটি আছে আৰু মাজে মাজে একোটা হুমুনিয়াহ কাঢ়িছে। ইয়াকে দেখি মাজুজনীয়ে চেনেহৰ মাতেৰে কলে—"আমাৰ সৰু জাক মোৰ লগতে আইৰ ঘৰলৈ লৈ যাম দিয়া।" এই কথা শুনি সৰু জাকে কলে, "নেলাগে বাই, মই ইয়াত শাহুৱে যি দিয়ে, শাকেৰেই হওক বা শোকোতাৰেই হওক, বিহু খাম, কলৈকো নাযাওঁ বাই।" এই কথা শুনি বৰজনীয়ে কলে, "কিয়নো নেযাব আই হেৰে? তোৰ মাৰ নাই, বাপেৰ নাই, ককায়েৰ নাই, ভায়েৰ নাই, নাইতো নাই কোনোৱেই নাই; আমি এটাই-কেইজনী আই-বোপাইৰ ঘৰলৈ বিহু খাবলৈ যাম, তইনো অকলে ইয়াত থাকিবি নে? গোসাঁয়ে যেতিয়া তোক এনেকুৱা নিঠৰুৱা কৰিছে, কি কৰিবি মোৰ আই। বেজাৰ কৰিলে কি হব? তোক ইয়াতে অকলৈ এৰি যাবলৈ আমাৰ বৰ বেয়া লাগিব।"

কাইলৈ বহাগৰ বিহু, আজি উৰুকা। বাটে-পথে মানুহ হো-হো কৰে আহিছে, হো-হো কৰে গৈছে, কাৰো গাত তৎ-ভৎ নাই। গৃহস্থৰ ঘৰৰ বোৱাৰী জীয়াৰী মাকৰ ঘৰলৈ যোৱাই যোৱাই যাব লাগিছে। এনেতে আবেলি এটা লহপহ মানুহে ৰজাৰ হাউলি সোমাই ৰজাৰ ধৈণীয়েকক মাত লগাই কলে—"আবৈ, মই আমাৰ আইটিক নিবলৈ আহিছো"। ৰাণীয়ে আচৰিত মানি চকু খিয়কৈ সুধিলে,—"কাক?" সি উত্তৰ দিলে—"আপোনাৰ সৰুজনী বোৱাৰীয়েকক।" ৰাণীয়ে কলে, "তাইৰ তো কোনো নাই। তই আকৌ ক'ৰপৰা ওলালিহি?" সি কলে, "নহয় আবৈ, মই সৰুতে আই-বোপাইৰ লগৰপৰা গৈ মোমাইৰ ঘৰত আছিলোগৈ। পিছে আই-বোপাই ঢুকালত, মই তাৰপৰা বস্ত্ৰ-বেহানি সোপাকে লৈ গৈ মোমাইৰ গাৱঁতে ন-কৈ ঘৰবাৰী সাজি বিয়া-বাৰু কৰাই থিতাপি হৈ আছোঁ। কাইলৈ বিহু, সেইদেখি মই মোৰ ভনীটীক লৈ যাবলৈ আহিলোঁ। ক'তনো আছে?" ৰাণীয়ে উত্তৰ দিলে, "ভিতৰত আছে, আহিব এতিয়া। হওঁতে যদি সঁচা হে, বৰ ভাল কথা। আন এটাইকেইজনী বোৱাৰী মাক-ইঁতৰ ঘৰলৈ গ'ল। এইজনীৰ যাবলৈ ঠাই নাই বুলি মই মনতে অসন্তোষ হে কৰি আছোঁ।"

এনেতে ভিতৰৰ পৰা সৰু বোৱাৰীয়েক ওলাই আহিল। শাহুয়েকে বোৱাৰীয়েকক সকলো কথা ক'লত বোৱাৰীয়েক আচৰিত হ'ল। তাই কোনো-মতেই তাইৰ ককায়েক এটা আছে বুলি স্বীকাৰ নকৰে আৰু তাৰ লগত যাবলৈ মান্তি নহয়। কিন্তু সেই মানুহটোৱে নানা ছলাহী কথাৰে মিঠাকিঠাকৈ মৰম লগাই নানা কথা কোৱাত শাহুয়েকে তাৰ কথা পতিয়াই বোৱাৰীয়েকক যাবলৈ কোৱাত বোৱাৰীয়েক বাউ-সাবাউকৈ অগত্যা তাৰ লগত গ'ল।

সিহঁত দুয়ো গৈ বহুত পৰৰ পিচত এখন হাবিৰ ভিতৰ সোমাই এটা ঘৰ পালেগৈ। সেই ঘৰটোত সি সৰু কুঁৱৰীক সুমাই কলে—"এইটো মোৰ ঘৰ। কাইলৈ তোৰ লগত মোৰ বিয়া হব। এতিয়া তই ইয়াতে খাই-বৈ থাক।" এই বুলি সি বুঢ়ী এজনীক মাতি "আই, তই এইক চাবি; মই বিয়াৰ বস্তু গোটাবলৈ যাওঁ" বুলি কৈ গুচি গ'ল। কুঁৱৰীয়ে এতিয়াহে ভালকৈ বুজিব পাৰিলে যে তাইক চোৰে পালে। ভয়ত কুঁৱৰীৰ গা জৰ-ঘামে ঘামিবলৈ ধৰিলে, মুখ আচন্দ্ৰাই কৰিবলৈ ধৰিলে, থিয় হৈ থাকিব নোৱাৰি তাই বহি পৰিল। এনেতে এজনী বুঢ়ীয়ে মাত লগালে,—"উঠা মোৰ আই, ভয় নাখাবা, বেজাৰ নকৰিবা। ৰজাৰ ঘৰতকৈও তুমি মোৰ পোৰ ঘৰত ভালকৈ সুখেৰে খাইমেলি থাকিব পাৰিবা। উঠি দুটামান ভাত খোৱাহি, মই ভাত বান্ধি থৈছোঁ।" বুঢ়ীৰ কথা শুনি কুঁৱৰীয়ে মনটো অলপ ডাঠ কৰি মাত লগালে, —"বুঢ়ী আই, তুমি কোন?" বুঢ়ীয়ে উত্তৰ দিলে—"মই তাৰ মাক হওঁ। সি মোৰ পো। আমি চহকী আৰু ভাল কুলীনা মানুহ। সি গাঁৱৰ-পৰা নগৰৰপৰা, ধন-সোণ লুটি-পুটি আনি মোৰ ঘৰ ভৰাই থৈছে, কিন্তু আজিলৈকে বিয়া কৰোৱা নাই। সিদিনা সি ৰজাৰ ঘৰত চুৰ কৰিবলৈ গৈছিল। তাতে বেৰৰ জলঙাইদি তাৰ নাকটো সুমাই তোমা-লোক আটাইকেইজনী কুঁৱৰীৰ কথাবাৰ্ত্তা শুনি আছিল। তাতে তুমি হেনো তোমাৰ কোনো নাই বুলি কৈ কান্দিছিলা, সেইদেখি সি তোমাক বুধি কৰি আনিছে। সি তোমাক বিয়া কৰাব। আজি সি গাঁৱলৈ গৈছে, তোমাৰ বিয়ালৈ বয়-বস্তু আনিবলৈ। কাইলৈ উভতি আহিব। আই, তুমি বেজাৰ নকৰিবা, তোমাৰ মঙ্গ সুখ হব।" এইবুলি বুঢ়ীয়ে কুঁৱৰীক বুজাই ভাত খাবলৈ আনি দিলে। কুঁৱৰীয়ে কিন্তু ভাত হাতেৰেই নুচুলে। ৰাতিটো কুঁৱৰী বুঢ়ীৰ সৈতে একেলগে থাকিল। কিন্তু ৰাতি পুৱাই আহিলত, তেওঁ বুঢ়ীৰ লগৰপৰা লাহেকৈ উঠি জৰী এডালেৰে বুঢ়ীক শোৱা চালপীৰাতে কটকটীয়াকৈ বান্ধি থৈ তাৰ ঘোঁৰাশালৰ-পৰা ভাল তেজী ঘোঁৰা এটা মেলি লৈ ঘোঁৰাত উঠি ফাইদাং মাৰিলে। কুঁৱৰীয়ে ঘোঁৰাত উঠি ঘোঁৰা চেকুৰাই আহোঁতে বাটৰ এঠাইত দেখিলে যে সেই মানুহটো এজোপা গছৰ তলত বহি আছে। সি দূৰৈৰপৰা কুঁৱৰীক দেখি, ঘোঁৰাত উঠি ৰজাৰ চিপাহী আহিছে ভাবি সাউৎকৰে উঠি হাবিৰ মাজত সোমালগৈ। কুঁৱৰীয়ে সেই গছৰ তল পাই দেখিলে যে গছৰ গুৰিতে কিছুমান ৰাখৰপতোৱা সোণৰ অলঙ্কাৰ পৰি আছে; মানুহটোৱে লৰালৰিকৈ উঠি পলাই যোৱা বাবে সেইবোৰ লৈ যাব নোৱাৰিলে। কুঁৱৰীয়ে সেই অলঙ্কাৰবোৰ বুটলি লৈ ঘোঁৰা চেকুৰাই ৰজাৰ হাউলি পালত, সকলোৱে দেখি আচৰিত মানিলে।

কুঁৱৰীয়ে তেতিয়া সকলোবোৰ কথা আগৰ পৰা গুৰিলৈকে ভাঙি ক'লত সকলো অবাক হ'ল।

মানুহটোৱে তাৰ ঘৰলৈ গৈ কুঁৱৰী পলাই যোৱা দেখি মাকৰ বান্ধ মোকোলাই দি তেতিয়াই বজাৰ নগৰৰ ফালে আহিল। গধূলি সৰু বোৱাৰীয়েকে শাহুয়েকৰে সৈতে কথা পাতি থাকোঁতে সি আকৌ আগৰদৰে বেৰৰ অলঙাইদি নাকটো সুমাই কথা শুনি আছিল। চতুৰ সৰু কুঁৱৰীয়ে তাৰ গম পাই লাহেকৈ উঠি গৈ খুৰ এখন আৰু খাৰণিসঁতাৰপৰা খাৰণি এবাটি আনি সাউৎকৰে গৈ খুৰেৰে তাৰ নাকৰ আগটো কাটি বেৰৰে সৈতে সমান কৰি দিলে আৰু ততালিকে তাত খাৰণিবাটি ঢালি দি ফৰকাৰে কলে-

"কটা যোৱা নাক
খাৰণি দি ঢাক ॥"

চোৰে "বোপাই ঐ! আই ঐ!" কৈ চিঞৰিবলৈ ধৰিলত বজাৰ পহৰীয়াই লৰি গৈ তাক ধৰি পেলালে। তেতিয়া সেইটো চোৰেই কুঁৱৰীক ফাঁকি দি লৈ গৈছিল বুলি কুঁৱৰীয়ে ক'লত, বজাই তাক শূলত দিয়ালে।

তীথৰ আৰু চুটিবাই

এক গাঁৱত এহাল মাউৰা ল'ৰা-ছোৱালী আছিল। ল'ৰাটোৰ নাম তীথৰ আৰু ছোৱালীজনীৰ নাম চুটিবাই। ল'ৰাটোৰ বুধিটো সৰুৰেপৰা বৰ চোকা আছিল দেখি গঞা মানুহে তাৰ নাম তীথৰ দিছিল আৰু ছোৱালীজনী চুটি-চাপৰ আছিল দেখি তাইৰ নাম চুটিবাই দিছিল। সৰুৰেপৰা সিহঁত ঘৰে ঘৰে বাগৰি-আগৰি ঠোঙোনা মোঙোনা খাই বৰ দুখত উঠিছিল।

সকলোৱে পিঠা খাই দেখি এদিন তীথৰৰ পিঠা খাবৰ মন গ'ল। সি বায়েকক কলে,—

"চুটিমুটি বাই।
পিঠা খাবৰ মন যায় ॥"

বায়েকে উত্তৰ দিলে—"এ বোপাই, মন গলেই জানিবা, খাবি কৰপৰা? ঈশ্বৰে আমাক সকলো সুখৰপৰা বঞ্চিত কৰিছে; নহলে নো আই-বোপায়ে আমাক টিলৌটিপৌতে এৰি মৰি যায় নে? কণা গোসাঁয়ে আমাৰ ফালে কণা চকুটো দি থাকে। কোনোমতে খুজি-মাগি শাকে-পাতে ভাত এগাল খাওঁ; পিঠা খাবলৈ বৰা ধান পাম ক'ত? তেল পাম ক'ত? গুৰ পাম ক'ত?"

বায়েকৰ কথা শুনি তীথৰে অলপ পৰ চটক মাৰি থাকি কলে, "চুটিবাই, তই মোক জোঠা এৰী কাপোৰখনকে দে, মই ওলাই যাওঁ, এতিয়াই বৰা ধান লৈ আহিমগৈ।" এইবুলি তীথৰে এৰীয়া কাপোৰখন গাত লৈ ওলাই গ'ল।

এঘৰ মানুহৰ ঘৰত বৰাধানৰ মৰণা এটা দেখি তীথৰ সোমাই গৈ চোতালতে মৰণাৰ ওচৰতে বহিল। গিৰিহঁতে ধানখেৰ জোকাৰি জাঁতৰাইছে, তীথৰে তাক বাৰেভচহ কুচুৰী কথা কৈ হঁহুৱাব লাগিছে। এনেতে এবাৰ তীথৰে তাৰ পিয়াহ লাগিছে বুলি কৈ গিৰিহঁতক পানী এবাটি আনিবলৈ ভিতৰলৈ পঠিয়াই দি ধানৰ ওপৰত বাগৰিবলৈ ধৰিলে। মানুহটোৱে পানী লৈ আহি দেখে যে ল'ৰাটো ধানৰ ওপৰত বাগৰি ফুৰিছে। সি তাক সুধিলে, "হেৰ তীথৰ তোৰ কি হ'ল অ'?" তীথৰে কেকাই কেকাই উত্তৰ দিলে, "উস্ মই পেটৰ কামোৰণিত বহাকে পোৱা নাই। কি কৰো কলৈ যাওঁ।" মানুহটোৱে তীথৰৰ পেটত ঘঁহি দিবলৈ এটোপা তেল আনিবলৈ লৰালৰিকৈ আকৌ ভিতৰলৈ গলতে তীথৰে —"উস্ মই ঘৰলৈকে যাওঁ; ইয়াত থাকিলে মৰিম" বুলি বিঙিয়াই কৈ উঠি লৰ মাৰিলে। ঘৰলৈ আহি তীথৰে বায়েকক—"এইয়া ধান নে" বুলি কৈ কাপোৰখন জোকাৰি ধান এগাল উলিয়াই দিলে। বায়েকৰ মহা ৰং। তাই কলে,—"ধান আনিবা পালো, কিন্তু তেল এটোপা পাওঁ ক'ত?" তীথৰে "বাৰু মোক টেকেলি এটা দে" বুলি কৈ বায়েকক খুজি টেকেলি এটা লৈ আকৌ ওলাই গ'ল। গৈ গৈ এঘৰ মানুহৰ ঘৰত তেলীশালত তেলপেৰা দেখি তাত সোমাই কাষতে অলপ থিয় দি গৰাকীক কলে, "ককাই, ময়ো বেতেৰিটোৰ ওপৰত উঠিম নে? ভৰ সৰহ হলে বেগাই তেল ওলাব।" শালৰ গৰাকীয়ে কলে, "উঠিবৰ মন গৈছে যদি উঠ, হানি নো কি?" বেতেৰিৰ ওপৰত উঠিয়েই তীথৰে বাগ টানি গীত ধৰিলে—

"এ সীতা শান্তি এ, তোক মই নোবোলো ভাল।
সুবৰ্ণৰ দলিচাই গা জুৰ নহলে,
তোক লাগে মিৰিগৰ ছাল ॥"

তীথৰৰ মাতটো বৰ সুৰীয়া; সেইদেখি তেলশালৰ গৰাকীয়ে গীতটো শুনি সন্তোষ পালে। গীত গোৱা হলত তীথৰে কলে, "ককাই মোৰ ডিঙিটো চৰ্চৰাইছে, এখন তামোল খাবলৈ পোৱাহেঁতেন ভাল আছিল।" সি এই বুলি কলত, গিৰিহঁতে তামোল আনিবলৈ ভিতৰলৈ গলতে, তীথৰে লাহেকৈ শালৰ পৰা নামি কাপোৰৰ তলৰ পৰা টেকেলিটো উলিয়াই এটেকেলিকৈ তেল ভৰাই লৈ গুচি গ'ল। উভতি

আছি তীখৰে বায়েকক তেল টেকেলি দিলত বায়েকে ৰং পাই কলে, "বাৰু তেল হ'ল, কিন্তু গুড় নহলে পিঠা খাবি কিহেৰে ?" তীখৰে আকৌ গুড় বিচাৰি লৰ ধৰিলে।

তীখৰে গৈ গৈ এখন কুঁহিয়াৰ শালত গোটা-চেৰেক মানুহে কুঁহিয়াৰ পেৰি থকা দেখি এটা বুধি সাজি সেই গাঁৱৰ অলপ ওচৰৰ হাবি এচুৰাত জুই লগাই দিলেগৈ। যেই বতাৰ পাতত জুই লাগি জ্বলি উঠিল তীখৰে লৰি আহি কোঁপাই-জোপাই কুঁহিয়াৰ পেৰি থকা মানুহ কেইটাক কলে, "ককাই সৰ্ব্বনাশ। সৌ চোৱাঁচোন, তোমালোকৰ গাৱঁত ধম্‌ধম্‌কৰে জুই লাগিছে। এতিয়াই তোমালোকৰ ঘৰ-বাৰী পুৰি ভস্ম হব।" মানুহকেইটাই সেই ফালে চাই জুই লগা দেখি, কুঁহিয়াৰ শালতে কুঁহিয়াৰ, থালীতে পগোৱা গুড় আৰু কলহত ভৰোৱা গুড় এৰি সিহঁতৰ ঘৰৰ ফালে লৰ ধৰিলে। তীখৰে সুৰুঙা পাই তাৰেপৰা গুড় একলহ লৈ পলায়ৰ্দ্ধং কৰিলে।

গুড় পাই চুটিবাইৰ বৰ আনন্দ হ'ল। তাই পিঠা কৰিবলৈ যো-জা কৰোঁতেই হঠাৎ তাইৰ মনত পৰিল খৰি নাই। তেতিয়া তীখৰৰ বায়েকে কলে, "তীখৰ, ভাল কথাটো হ'ল,—খৰিলৈ পাহৰিলোৱেই। খৰি এডালো নাই।" বায়েকৰ কথা শুনি তীখৰে হাতত দা লৈ খৰি লুৰি আনিবলৈ লৰ ধৰিলে। এখন গেজেপনি হাবিত সোমাই তীখৰে দাৰে ঘপ্‌ ঘপ্‌ কৰে গছৰ ডাল কাটি খৰি লুখি থাকোতেই এটা বাঘে ওচৰ চাপি আহি মাত লগালে —"তই কোন অ'? দেখোন ঘপ্‌ ঘপ্‌ কৰে গছৰ ডাল কাটিব লাগিছ? এইখন মোৰ বাৰী বুলি তই নাজানানে? তই কিয় মোৰ বাৰীত খৰি লুৰিছ অ'?"

তীখৰে বাঘক দেখি ভয় পাইও ভয়টো লুকাই লৈ মনটো ডাঠকৈ উত্তৰ দিলে, "অ', এইটি আমাৰ বাঘ ককাই নে? এৰা ককাই! মই এইখন তোমাৰ বাৰী বুলি জানো। মই বোলো বাঘ ককায়েনো চেনেহৰ ভায়েকক খৰি এডালো নিবলৈ নিদিবনে? ককাই, মোৰ ঘৰত পিঠা খোৱা পাতিছে। ভাবিলো আলেকে গৈ বাঘ ককাইকো মাতি যাওঁ আৰু খৰি ডালচেৰেকো লৈ যাওঁ।"

তীখৰৰ কথা শুনি বাঘে সন্তোষ পাই কলে, "দিয়া, দিয়া, মোৰ ভাইটি, যিমান খৰি লাগে নিয়া। মই যাবতো পিঠা খাবলৈ। তোমাৰ ঘৰত নেখাম আৰু নো কাৰ ঘৰত খাম? পিছে কেতিয়ানো যাব লাগিব?" তীখৰে তাৰ ঘৰৰ ফালে আঙুলিয়াই উত্তৰ দিলে, "সৌফালে যিদিনা ঘৰ ধোঁৱা দেখিবা, সেইদিনাই।" ইয়াকে বাঘক কৈ তীখৰে খৰি লুৰি লৈ ঘৰ পালেগৈ।

ইয়াৰ পিচত বায়েকে পিঠা ভাজি দিলে; তীখৰে পেট পেলাই খালে, বাঘে তাৰ ভুকে নেপালে। পিছদিনা সিহঁতৰ ঘৰৰ আগচোতালত তিতা ধানখেৰ এসোপাত জুই লগাই বৰকৈ ধোঁৱা কৰি দি, বায়েকৰ হতুৱাই তিনিখন পিঠা কৰালে। এখন পিঠা পদুলি-মুৰত, এখন দুৱাৰমুখত আৰু এখন ঢেঁকীৰ ফিচাত সি থৈ দি বায়েকৰ সৈতে বৰচাঙত উঠি থাকিল। পদুলিমুৰত থোৱাখন বৰা চাউলৰ, দুৱাৰমুখত থোৱাখন কচুৰ আৰু ঢেঁকীৰ ফিচাত থোৱাখন চূণৰ পিঠা আছিল। বাঘে ধোঁৱা দেখি আহি তীখৰৰ ঘৰৰ পদুলিৰ মুৰ পাই পোনতে তাত থোৱা পিঠাখন খাই জুতি পাই দুৱাৰমুখৰখন খালেহি। সেইখন খালতে তাৰ ডিঙি খজুৱাবলৈ ধৰিলে। ডিঙিৰ খজুতিত বাঘ থাকিব নোৱাৰি লৰি আহি ঢেঁকীশাল পাই ঢেঁকীৰ ফিচাত পিঠা এখন আছে দেখি সেইখনো খালতে তাৰ ডিঙিত ঘা লাগি সি সেপচুকিব নোৱাৰি মৰি থাকিল।

চম্পাৱতী

এসময়ত এঠাইত এজন বৰ ধনী মানুহ আছিল। তেওঁৰ দুজনী ঘৈণীয়েক আছিল। ডাঙৰজনী লাগী আৰু সৰুজনী এলাগী। লাগীজনীৰো এজনী ছোৱালী হৈছিল আৰু এলাগী জনীৰো এজনী ছোৱালী হৈছিল। লাগী তিৰোতাৰ কথা শুনি গিৰিয়েকে সৰুজনীক তাইৰ জীয়েকৰে সৈতে চুৱা-পাতনিত থাকিবলৈ এটি পঁজা ঘৰ সজাই দিলে। এলাগীয়ে দুখ-কষ্টৰে জীয়েকক লৈ খুজিমাগি খাই ঘৰতে থাকিবলৈ ধৰিলে। এলাগীৰ জীয়েকৰ নাম চম্পাৱতী। এদিন বাপেকে চম্পাৱতীক পকা ধান ৰখিবলৈ হুকুম দিলে। চম্পাৱতীয়ে সদায় ধাননিৰ মাজত টঙিৰ ওপৰত উঠি চৰাই খেদাই থাকে। এইদৰে বহুদিন গৈছে, এদিন চম্পাৱতীয়ে ধান ৰখিবলৈ গৈ টঙিৰ ওপৰত উঠি—

"হুৰ হুৰ ৰতা চৰাই;
মোৰ ধান নাখাবি তোক দিম গোটেকৰাই।"

বুলি কওঁতেই ওচৰৰ হাবিৰ মাজৰপৰা কোনোবাই উত্তৰ দিলে—

"ধানো খাম চাউলো খাম।
চম্পাৱতীক বিয়া কৰি ঘৰলৈ যাম।"

চম্পাৱতীয়ে এইবোৰ কথা শুনি কেউফালে মানুহ-দুনুহ চাই কাকো নেদেখি বিচুতি হ'ল। তাৰ পিচত পথুলি পথত ধান ৰখি উভতি আহি চম্পাই

মাকৰ আগত সেই দিনাৰ সেই কথা কলে। পিছদিনা মাকে চম্পাৰ কথা সঁচা নে মিছা জানিবৰ নিমিত্তে চম্পাৰ লগতে ধাননিৰ মাজলৈ গ'ল আৰু মাকে কৰলৈ দিয়াত চম্পাই কবলৈ ধৰিলে,—

"হৰ হৰ বতা চৰাই ;
মোৰ ধান নাখাবি তোক দিম গোটেকবাই।"

ইয়াৰ উত্তৰত হাবিৰ মাজৰ পৰা কোনোবাই মাত লগালে,—

"ধানো খাম চাউলো খাম।
চম্পাৱতীক বিয়া কৰাই ঘৰলৈ যাম।"

মাকে এই কথা শুনি বিচুতি হ'ল আৰু এবাৰ মাকে চম্পাক আগৰদৰে মাতিবলৈ দিয়াত, চম্পাৱতীয়ে মতাত, পুনৰ হাবিৰ পৰা আগৰদৰেই কোনোবাই উত্তৰ দিলে। তেতিয়া মাক-জীয়েক দুয়ো ঘৰলৈ উভতি আহিল। এলাগীয়ে গিৰিয়েকক সকলো কথা কলে। গিৰিয়েকে এলাগীক, চম্পাক আৰু ওচৰ চুবুৰীয়া মানুহ গোটাচেৰেকক লগত লৈ ধাননিলৈ গৈ চম্পাক সেইদৰে মাতিবলৈ দিয়াত চম্পাই আগৰদৰে মতাত ওচৰৰ হাবিৰপৰা আগৰ দৰে উত্তৰ পালে। সকলো মানুহে কোনে মাতিছে বুলি চাবলৈ হাবিৰ মাজলৈ সোমাই গ'ল, কিন্তু কাকো নেদেখিলে। তাৰ পিচত চম্পাৰ বাপেকে হাবিৰ ফালে চাই মাত লগালে—"যদি সঁচাকৈয়ে তোমাক চম্পাৱতীক লাগে, তেনেহলে তুমি যেই কি নোহোৱা ওলাই আহা। সত্যে সত্যে তিনি সইত খাই কৈছোঁ, চম্পাৱতীক তোমালৈ মই বিয়া দিম।" এই কথা শুনি হাবিৰ মাজৰ পৰা এটা বৰ ডাঙৰ অজগৰ সাপ ওলাই আহিল। সাপটো দেখি সকলো মানুহ ভয়ত পলাবলৈ ধৰাত চম্পাৰ বাপেকে সিহঁতক নপলাবলৈ কৈ সাহ দিলত একে ঠাইতে সকলোটি থুপ খালে। তাৰ পিচত সি অজগৰক মাতি তাৰ ঘৰলৈ নিলে। এলাগী আৰু জীয়েক দুয়ো ডিঙিত ধৰা-ধৰিকৈ কান্দিবলৈ ধৰিলে ; এলাগীয়ে জীয়েকক অজগৰে সৈতে বিয়া নিদিবলৈ গিৰিয়েকক কাকুতি কৰিবলৈ ধৰিলে হয় কিন্তু লাগীৰ কথা শুনি গিৰিয়েকে তালৈ কাণ নকৰি কেঁচা পাণ, কেঁচা তামোল কাটি সাপলৈ চম্পাক বিয়া দি এটা সুকীয়া ঘৰত মাক, জীয়েক, জোঁৱায়েকক থাকিবলৈ ঠাই দিলে। সেইদিনা লাগীৰ আৰু আনন্দৰ সীমা নাই যে আজি ৰাতি চম্পাৱতীক অজগৰে খাই পেলাব। অজগৰক চম্পাৱতীৰে সৈতে একেটা খোটালিত ৰাতি থাকিবলৈ দিয়া হ'ল। চম্পাৱতীয়েও তাইক আজি অজগৰে গিলিব ভাবি ঈশ্বৰৰ চৰণত শৰণ লৈ শোকে বেজাৰে পৰি থাকিল। পিচদিনা মাকে ৰাতিপুৱাই নবাদৰিকৈ উঠি চম্পাৱতীৰ ঘৰলৈ গৈ দেখে যে চম্পাৱতীৰ গা সোণৰ অলঙ্কাৰ-পাতিয়ে জকমকাব লাগিছে আৰু তাইৰ গা গোটেইটো সোণময় হৈ আছে, কিন্তু অজগৰ আৰু তাত নাই। মাকে চম্পাৱতীক জগালত তাই সাৰ পাই, নিজৰ গাত সোণৰ অলঙ্কাৰ পাতি ভৰি থকা দেখি তাইৰ আনন্দত পাৰ নোহোৱা হ'ল। ইফালে চম্পাৰ বাপেকে লাগীক লগত লৈ চম্পাৱতীক অজগৰে গিলিলে ভাবি চাবলৈ আহি দেখে যে, চম্পাৱতীৰ গা সোণৰ অলঙ্কাৰেৰে জকমকাব লাগিছে। দেখিয়েই দুয়ো বিচুতি হ'ল। চম্পাৱতীৰ এনে হোৱা দেখি লাগীৰ হিংসা লাগি তেতিয়াই গিৰিয়েকক নিজৰ জীয়েকৰ নিমিত্তে এটা অজগৰ আনিবলৈ কুভুৰিবলৈ ধৰিলে। গিৰিয়েকেও ঘৈণীয়েকৰ কথা শুনি লগত কিছুমান মানুহ লৈ ঘোৰ অৰণ্যলৈ গৈ বিচাৰি এটা অজগৰ সাপ ধৰি ঘৰলৈ লৈ আহিল। কেঁচা পাণ, কেঁচা তামোল কাটি লাগীয়েও অজগৰেৰে সৈতে জীয়েকক বিয়া দিলে। চম্পাৱতীক শুৱলৈ দিয়াৰ দৰে লাগীয়েও নিজৰ জীয়েকক অজগৰৰ লগত শুৱলৈ দিলে। লাগীৰ আনন্দৰ সীমা নাই,—আজি জীয়েকে সোণৰ নতুন নতুন অলঙ্কাৰ পিন্ধিবলৈ পাব বুলি। আনন্দত মাজ ৰাতি লুথুই জীয়েক শোৱা খোটালিৰ কাষতে বহি আছিল। ইফালে ৰাতি অজগৰ সাপে লাগীৰ জীয়েকক তাইৰ ভৰিৰ ফালৰ পৰা গিলিবলৈ ধৰিলে। জীয়েকে মাকক ভিতৰৰপৰা কলে,—

"আই মোৰ ভৰি কুটেকুটায়।"

বাহিৰৰপৰা মাকে কলে,—

"আই মোৰ জোঁৱায়ে নেপুৰ পিন্ধায়।"

লাহে লাহে অজগৰে গিলি আনি কঁকাল পালেগৈ। জীয়েকে কলে—

"আই মোৰ কঁকাল কুটেকুটায়।"

মাকে কলে—

"আই মোৰ জোঁৱায়ে মেখেলা পিন্ধায়।"

তাৰ পিছত অজগৰে গিলি যেতিয়া বুকু পালেগৈ জীয়েকে মাত লগালে—

"আই মোৰ বুকু কুটেকুটায়।"

মাকে উত্তৰ দিলে—

"আই মোৰ জোঁৱায়ে বিহা পিন্ধায়।"

তাৰ পিচত অজগৰে গিলি ডিঙি পালত জীয়েকে মাতিলে—

"আই মোৰ ডিঙি কুটেকটায়।"

মাকে উত্তৰ দিলে—

"আই মোৰ জোঁৱায়ে মণি পিন্ধায়।"

লাহে লাহে অজগৰে গিলি খুব পালত, জীয়েকৰ আৰু মাত নাইকিয়া হল। মাকে ভাবিলে—"মোৰ জীয়ে অলঙ্কাৰ পাতি পাই আনন্দত টোপনি গৈছে।" ইয়াকে ভাবি মাকেও ৰং মনেৰে শুই থাকিল। ৰাতি-পুৱা মাকে টোপনিৰ পৰা উঠি আনন্দ মনেৰে গৈ দেখে যে জীয়েক নাই, অজগৰটোহে খাই গেৰেলা হৈ পৰি আছে। তেতিয়া তাই কথাটো বুজিব পাৰি হুৰাওবাৰে কান্দিবলৈ ধৰিলে। কান্দোন শুনি গিৰিয়েক ওলাই আহি কি হল বুলি সোধাত ঘৈণীয়েকে সকলো কথা ক'লত, সি চাচকৰে মাটিত পৰিল। এনাগী আৰু চম্পাৱতীয়েও কান্দিবলৈ ধৰিলে। গাঁৱৰ সকলো মানুহ আহি গিৰিয়েক-ঘৈণীয়েকক নিন্দি অজগৰৰ পেট ফালি জীয়েকক উলিয়াই শটো খৰি দিলে। ইয়াৰ পিচত গিৰিয়েক আৰু লাগীয়ে এনাগী আৰু চম্পাৱতীক সমুলি দেখিব নোৱাৰা হল। দিনে-ৰাতিয়ে কেনেকৈ মাক-জীয়েকক মাৰিব পাৰিব ইয়াকেহে সিহঁতে ভাবিলৈ ধৰিলে। এদিন বাঁও দুয়ো হাতিত তৰোৱাল লৈ মাক-জীয়েকক কাটিবলৈ যাওঁতেই চম্পাৱতীক বিয়া কৰোৱা অজগৰটোৱে হঠাৎ ওলাই আহি দুয়োকো গিলি থৈ চম্পাৱতীক আৰু মাকক টোপনিতে দাঙি লৈ এখন অৰণ্যৰ মাজৰ এটা ভাল পকী ঘৰত থলেগৈ। পিচদিনা মাক আৰু জীয়েকে উঠি অচিনাকি ঠাই দেখি ভয়ত কান্দিবলৈ ধৰিলে। সাপে কলে, "ইয়াত তোমালোকৰ একো ভয় নাই, মই হে তোমালোকক ইয়ালৈ লৈ আহিলোঁ।" এই বুলি কৈ নিশাৰ ঘটনাটোৰ কথা সি কবলৈ ধৰিলে। তাৰ কথা শেষ হলত, মাক আৰু জীয়েকে অজগৰক শলাগি তাতে ৰং মনেৰে থাকিল। সেই অৰণ্যৰ ঘৰতে মাক-জীয়েক আৰু অজগৰ সুখেৰে খাই বৈ থাকিবলৈ ধৰিলে। তাতে থাকোতে হঠাৎ এদিন মাকৰ জৰ হৈ মৃত্যু হল। অজগৰে আৰু জীয়েকে শোক কৰি কান্দি-কাটি মাকৰ সংকাৰ কৰিলে। ইয়াৰ কিছুদিনৰ পিচত অজগৰ ফুৰিবলৈ ওলাই গলত, অকস্মাৎ এজনী বুঢ়ী আহি সেই ঘৰত ওলালহি। চম্পাৱতীয়ে বহুদিন মানুহৰ মুখ দেখা নাছিল; সেইবাবে বুঢ়ীক দেখি আনন্দ মনেৰে আন্তৰেন্তকৈ বহিবলৈ দি, কৰ মানুহ, কলৈ আহিছে বুলি সোধাত, বুঢ়ীয়ে কলে—"আই, তুমি বিজন অজগৰ সাপক পতিৰূপে পাইছা, সেইজন এজন দেৱতা। তেওঁ সদায় নিশা তোমাক চিকুটি-বাকুটি সাৰ নোপোৱা দেখিলে সাপৰ মোটচো সলাই থৈ দেৱতাৰ ৰূপ ধৰি স্বৰ্গলৈ গুচি যায় আৰু তাতে দেৱতাবিলাকৰে সৈতে কথা পাতি থাকেগৈ। আই, যদি তোমাৰ অজগৰক তুমি দেৱতাৰূপে পাবলৈ আশা কৰা তেনেহলে আজি ৰাতি তুমি সাৰে থাকি চিকুটা-বাকোহা কৰিলে একো গম নোপোৱা দেখুৱাই টোপনিৰ ভাও জুৰি থাকিবা। তেওঁ তোমাৰ টোপনি ভালকৈ আহিছে ভাবি সাপৰ মোটচো সলাই থৈ দেৱতাৰ লগত কথা পাতিবলৈ যাব; ইকালে তুমি উঠি সেই মোটচো তুঁহ জুইত পুৰি পেলাবা। মোটচো পুৰি পেলোৱা মাত্ৰকতে তেওঁ গাৰ পোৰণিত থাকিব নোৱাৰি দেৱতাৰ মাজৰ পৰা গুচি আহি দেৱতা হৈয়েই তোমাৰ ওচৰ পাবহি। তেতিয়া তুমি লৰালৰিকৈ বিচনীৰে তেওঁক বিচি শুবলৈ দিবা আৰু লাহে লাহে তেওঁৰ টোপনি আহিব। ৰাতি পুৱালেই তুমি উঠি সেই ধুলন্তৰ পুৰুষজনক ভালকৈ সেৱা-সংকাৰ কৰি মালা দি বৰিবা। তেতেঁই তোমাৰ অজগৰ স্বামী।" চম্পাৱতীয়ে বুঢ়ীৰ কথাত আনন্দিত হৈ তাইক এচৰু ৰূপ আৰু এচৰু সোণ দি বিদায় দিলে আৰু নিশা বুঢ়ীয়ে কোৱামতেই সকলো কৰাত এজন ধুলন্তৰ পুৰুষ দেখিবলৈ পাই তেওঁৰ ভৰিত পৰি সেৱা কৰিলে। ইয়াৰ পিচত দুয়ো মনৰ সুখেৰে দিনৰ পিচত দিন কটাবলৈ ধৰিলে। এদিন গিৰিয়েক ফুৰিবলৈ যাওঁতে সেই বুঢ়ী আকৌ ওলালহি। চম্পাৱতীয়ে বুঢ়ীক দেখি লৰালৰিকৈ বহিবলৈ দি, কি কাৰণে আকৌ আহিছে বুলি সুধিলত, বুঢ়ীয়ে এইবাৰ ছলনা কৰি কবলৈ ধৰিলে—"আই, তোমাৰ ভালৰ নিমিত্তে দু-আষাৰমান কথা কবলৈ আহিছোঁ। তুমি কাইলৈ দুপৰীয়া তেওঁক তোমাৰ সৈতে একেখন কাঁহীতে ভাত খাবলৈ কবা। তেওঁ তোমাৰ কথামতে তোমাৰ লগতে যেতিয়া খাবলৈ বহিব তেতিয়া তুমিও অলপো সঙ্কোচ নকৰি তেওঁৰ লগতে খাবা। এইদৰে খালে আগতকৈও তেওঁৰ মৰম তোমালৈ বেছি হব আৰু তেওঁ তোমাক এৰি থাকিব নোৱাৰিব। খাই বৈ উঠি কবা যে আজি মই ভাত খাই থাকোতেই আপোনাৰ মুখতে অনেক গাঁও দেখাদি দেখিলোঁ; এতেকে মোক ভালকৈ মুখ মেলি গোটেই পৃথিৱী দেখুৱাওক। সেই কথাত তেওঁ তোমাৰ ওপৰত খং কৰি পানীত পৰি কব যে, মোক লাগে নে, পৃথিৱী চাবলৈ লাগে? তেতিয়া তুমি পৃথিৱী চাওঁ বুলি কবা। তোমাক তেতিয়া মুখ মেলি গোটেইখন পৃথিৱী দেখুৱাই পানীত বুৰ মাৰিব—মোক আৰু ছবছৰৰ পিচত দেখা পাবা বুলি কব; কিন্তু সেই কথাত তুমি অলপো নিপিছুলি নৈৰ পাৰত বহি থাকিবা; দেখিবা অলপ পৰৰ পিচত তেওঁ আকৌ তোমাৰ ওচৰলৈ আহিব।" চম্পাৱতীয়ে এই কথাত আনন্দিত হৈ ৰং মনেৰে বুঢ়ীক আগৰ দৰে সোণ এচৰুৰে, ৰূপ এচৰুৰে দি বিদায় দিলে। বুঢ়ীয়ে নিজৰ আভপ্ৰায় সিদ্ধি হবৰ আগন্তক দেখি হৰিষ মনেৰে ঘৰলৈ উলটি গল। চম্পাৱতীয়ে বুঢ়ীয়ে কোৱামতে পিছদিনা একেখন কাঁহীতে গিৰিয়েকৰে সৈতে খাবলৈ বহিল। গিৰিয়েকে—"তোমাৰ মতিগতি লাহে লাহে বেয়া হৈছে" বুলি

কৈ সেই কাঁহীতে খালে। খাই বৈ উঠিলত চম্পাৱতীয়ে বুঢ়ীয়ে কোৱামতে—"আপোনাৰ লগত আজি ভাত খাওঁতে আপোনাৰ মুখৰ ভিতৰত অনেক গাঁও থকাৰ নিচিনা দেখিলোঁ, আপোনাৰ মুখখন মেলি তাত কি আছে মোক দেখুৱাওকচোন" বুলি কলত, গিৰিয়েকে চম্পাক কলে, "তেনেহলে মোক আৰু তুমি দেখা নোপোৱা।" চম্পাৱতীয়ে তেতিয়াও নুশুনাত অগত্যা তেওঁ নৈলৈ গৈ আকৌ এবাৰ চম্পাক কলে-

"মৰমৰ চম্পা ঐ।

কোৱা থিৰে কৰি, মোক লাগে নে পৃথিৱী চাবা ?"

চম্পাৱতীয়ে কলে—

"চৰণে ধৰিছোঁ, কাকুতি কৰিছোঁ দেউতা ঐ।
তোমাকো লাগে পৃথিৱীও চাম।"

গিৰিয়েকে মুখখন মেলি চম্পাক পৃথিৱী দেখুৱাই এটি সোণৰ আঙঠি দি কবলৈ ধৰিলে—"মৰমৰ চম্পা, যি বুঢ়ীৰ কথা শুনি তুমি ইযাকে কৰিলা, সেইজনী বুঢ়ী মোৰ আইৰ এজনী বেটী। মোৰ আই এজনী ৰাক্ষসী। তেওঁ মোক আন এজনী ছোৱালী বিয়া কৰিবলৈ কোৱাত মই নকৰি তোমাক বিয়া কৰিলত, যাতে তেওঁ তোমাক মোৰ লগৰ পৰা আঁতৰ কৰি লৈ গৈ এঠাইত খাব পাৰে, সেই চক্ৰান্ত কৰিহে বুঢ়ীয়ে তোমাক ছলনা কৰিলে। তোমাক আয়ে খালে মই সেই ছোৱালীজনী বিয়া কৰিবলৈ বাধ্য হব লাগিব। এতেকে যি হ'ল হ'ল, তোমাক মোৰ এই সোণৰ আঙঠিটো দিলোঁ, এই আঙঠিটো ভালকৈ ৰাখিবা। এইটো তোমাৰ হাতত থাকিলে আয়ে হে নালাগে ৰাক্ষস-ৰাক্ষসী বা হিংস্ৰক জন্তুৱেও তোমাক খাব নোৱাৰে। এই আঙঠিটো তুমি লগৰপৰা এৰিলেই তোমাৰ মহা বিপদ মিলিব বুলি জানিবা। আৰু এটি কথা, এই আঙঠিটোৰ গুণতেই তুমি মোক ছবছৰৰ পিচত মোৰ ৰাক্ষসী আইৰ ঘৰতে দেখা পাবা। এতিয়া মোৰ প্ৰতিজ্ঞা মতে মই আহিলোঁ। সাৱধান, আঙঠিটো যেন নেহেৰায়।" এই বুলি কৈ চম্পাৰ গিৰিয়েকে পানীত বুৰ মাৰিলে। চম্পাৱতীয়ে তেতিয়াহে সকলো কথা বুজিব পাৰি কান্দিবলৈ ধৰিলে। তাৰ পিচত তেওঁ সেই ঘৰ-বাৰী এৰি আঙঠিটোকে বুকুত বান্ধি লৈ অৰণ্যে অৰণ্যে কান্দি কান্দি ফুৰিবলৈ ধৰিলে। চম্পাৱতীৰ গিৰিয়েকৰ মাক ৰাক্ষসীয়ে চম্পাক খাবৰ নিমিত্তে নানা ভেশছন কৰিলে, নানা চেলু বিচাৰিলে, কিন্তু আঙঠিটোৰ গুণত একো প্ৰকাৰে চম্পাৰ ওচৰকে চাপিব নোৱাৰিলে। এইদৰে আজি কালিকৈ চম্পাৱতীক গিৰিয়েকে এৰি যোৱা ছবছৰত সোমালহি। এদিন চম্পাই অকস্মাৎ গিৰিয়েকক দেখি লৰি গৈ গিৰিয়েকৰ ভৰি দুটাত সাৱট মাৰি ধৰিলেগৈ। গিৰিয়েকেও চম্পাক দেখি আনন্দত কান্দি পেলালে আৰু তাত দুয়ো থাকি সুখে-সন্তোষেৰে দিন কটাবলৈ ধৰিলে।

ইফালে ৰাক্ষসী মাকৰ বোৱাৰীয়েকক অহা দেখি বৰ খং উঠিল ; আৰু বোৱাৰীয়েকক আই খাবলৈ নানা চেলু বিচাৰিবলৈ ধৰিলে। চম্পাৱতীয়ে গিৰিয়েকৰ ওচৰ পোৱা মাত্ৰকতে তাইৰ হাতৰ আঙঠিটো নাইকিয়া হল। তথাপি পুতেক থকাত ৰাক্ষসীয়ে চম্পাক খাব নোৱাৰি, এদিন মনে মনে গিৰিয়েকে নজনাকৈ ৰাক্ষসীয়ে এখন চিঠিত—"মোৰ ঘাই শত্ৰু গৈছে, মাৰি-কাটি সকলোৱে খাই, মোলৈকো এভাগ মঙহ দি পঠিয়াবা।" বুলি লেখি চম্পাৱতীৰ হাততে সেই চিঠিখন দি এঘৰলৈ চম্পাৱতীক পঠিয়াই দিলে। চম্পাৱতীয়ে শাহুয়েকৰ আজ্ঞা মতে গিৰিয়েকে নজনাকৈ লৰি চিঠিখন দি আহিবলৈ গৈছে। এনেতে গিৰিয়েকে সকলো বুজিব পাৰি লৰালৰিকৈ গৈ চম্পাৱতীক পাছৰ পৰা মাত লগালে—

"মৰমৰ চম্পা ঐ।
ইমান বেগ দি নেলাগে যাব ;
ক্ষন্তেক ৰোৱাচোন ঐ।"

চম্পাৱতীয়ে গিৰিয়েকৰ কথা শুনি ৰলত, গিৰিয়েকে চম্পাৱতীৰ হাতৰপৰা চিঠিখন কাঢ়ি নি পঢ়ি আঁতাই খণ্ডত ৰলিয়া হৈ চম্পাক আঁকোৱালি মাৰি ধৰি তেতিয়াই ঘৰলৈ গৈ মাকক গোধ-পোচ নোহোৱাকৈ চোকা তৰোৱালেৰে কাটি দোছোৱা কৰিলে। তাৰ পাছত দুয়ো সেই ঘৰ-বাৰী আৰু ৰাক্ষসৰ গাঁও এৰি এখন সুকীয়াকৈ নগৰ পাতি মনৰ সুখেৰে সেই নগৰতে খাই-বৈ থাকিল।

জবলপুৰৰ ৰজাৰ উপাখ্যান

এঠাইৰ এজন পণ্ডিতে তেওঁৰ এজন ছাত্ৰৰে সৈতে দেশ চাবলৈ ওলাই গল। তেওঁলোক গৈ এক ৰজাৰ এখন নগৰ পালেগৈ। তেওঁলোকে দেখিলে যে সেই নগৰত অহা চাউলৰ দাম সেৰে দুই পইচা, উখুৱা, আহু চাউলৰ সেৰে দুই অনা, ঘিউৰ সেৰে চৰতীয়া, আৰু তেলৰ সেৰে এটকা। পণ্ডিতে ছাত্ৰক কলে—বোলে "আমাৰ ইয়াতেহে কিছুদিন থকা ভাল।" এই বুলি তেওঁলোকে এঘৰত থাকিবলৈ ঠাই ললে।

এদিন ৰজাৰ হাউলিৰ ওচৰৰে এঘৰ মানুহৰ ঘৰত চোৰে সিন্ধি দি চুৰ কৰিছিল। সি চুৰ কৰি ওলাই

বাব খোজোতেই গৃহস্থৰ হাতত ধৰা পৰিলত, গৃহস্থই তাক বান্ধি আনি ৰজাৰ আগত হাজিৰ কৰিলেহি। ৰজাই পাত্ৰ-মন্ত্ৰী সকলেৰে বৰ চ'ৰাত বিচাৰ কৰিবলৈ বহি অনেক ভাবি ভাবি পালে যে সিন্ধিটো ডাঙৰ নোহোৱাহেঁতেন চোৰটো তাত সোমাব নোৱাৰিলেহেঁতেন। ইয়াকে ভাবি ৰজাই চোৰক সুধিলে—"হেৰ চোৰ, তই সিন্ধিটো কিয় ডাঙৰ কৰিছিলি ?" চোৰে উত্তৰ দিলে—"স্বৰ্গদেউ, কাটক বা মাৰক মোৰ চিপ্‌ৰাংখন ডাঙৰ আছিল, সেইদেখি তাৰে খান্দোতে সিন্ধিটো ডাঙৰ হৈ পৰিল।" এই উত্তৰ শুনি ৰজাই কলে, "ওঁ হয়তো, চোৰৰ গাত কি দায় ? কটা কমাৰে চিপ্‌ৰাংখন ডাঙৰকৈ কিয় গঢ়িছিল ? ধৰ কমাৰক। আন কমাৰক। আন তাক পাছলৈ কটাবান্ধ দি মোৰ আগলৈ।" ৰজাৰ হুকুম শুনি তেতিয়াই টেকেলা গৈ কমাৰক বান্ধি আনি ৰজাৰ আগত হাজিৰ কৰিলেহি। ৰজাই সুধিলে,—"হেৰ কমাৰ, তই কিয়নো চিপ্‌ৰাংখন ডাঙৰকৈ গঢ়িছিলি ? যদি ডাঙৰকৈ নগঢ়িলি-হেঁতেন তেন্তে ই চোৰে কেতিয়াও সিন্ধিটো ডাঙৰকৈ খান্দি সোমাই বস্তু চুৰ কৰিব নোৱাৰিলেহেঁতেন।" কমাৰে ৰজাৰ আগত আঠু লৈ কলে—"স্বৰ্গদেউ, সুধি কাটিলে কটা নাযাওঁ, নুসুধি কাটিলেহে কটা যাওঁ।" ৰজাই কলে, "বাৰু সুধিছোঁ, তোৰ কি কবলৈ আছে ক ? নহলে তোক আজি শূলত দিম।" কমাৰে মাত লগালে, "স্বৰ্গদেউ, মই চিপ্‌ৰাংখন গঢ়ি থাকোঁতে স্বৰ্গদেউৰ বান্দীজনী মোৰ আগেদিয়েই লচ্‌পচ্‌ কৰে লৰ মাৰিছিল। তাইৰ কালে মোৰ চকু গলতে চিপ্‌ৰাংখনত এটা কোব বেছিকৈ পৰিল।" ৰজাই কমাৰৰ কথা শুনি কলে, "কথাটো সঁচা, তোৰ গাত দোষ নাই। তাই বেটী সেই সময়ত তোৰ আগেদিয়েই বা কিয় গৈছিল ? ধৰ তাইক। আন তাইক।" ৰজাৰ মুখৰপৰা এই হুকুম ওলোৱা মাত্ৰকতে টেকেলাই গৈ ৰজাৰ বান্দীজনীক ধৰি আনিলে। ৰজাই বান্দীজনীক সুধিলে, "হেৰ তই সঁচাই বুলিছ নে ? কমাৰে চিপ্‌ৰাংখন গঢ়ি থাকোঁতে তই তাৰ আগেদি কিয় লৰ মাৰিছিলি ?"

বান্দীয়ে হাতযোৰকৈ কলে, "দেউতা, বেটীক মাৰকেই বা কাটকেই নকে নোৱাৰোঁ, আই দেউতাৰ ল'ৰা পাৰৰ হৈছিল দেখি মই বেজিনীক মাতি আনিবলৈ লৰি গৈছিলোঁ।" ৰজাই বোলে, "কথাটো হয়, এইৰ গাত দোষ নাই ; মোৰ ল'ৰাৰ গাতহে দোষ। সি নো এই সময়ত উপজিবলৈ ওলাইছিল কিয় ? আন মোৰ ল'ৰাক ধৰি।" ৰজাৰ হুকুমত ৰজাৰ অকণমান কোঁৱৰক আগলৈ নৈ অহা হল। ৰজাই কোঁৱৰক সুধিলে, "হেৰ তই এইখিনি সময়ত কিয় উপজিবলৈ ওলাইছিলি ?" কেঁচুৱা কোঁৱৰে একো উত্তৰ দিব নোৱাৰি মনে মনে থকা দেখি ৰজাই কোঁৱৰক শূলত দিবলৈ হুকুম দি কলে, "হলেই বা মোৰ ল'ৰা, মই ৰজা, মই ধৰ্ম্মৰ অৱতাৰ, মই কেতিয়াও অন্যায় বিচাৰ কৰিব নোৱাৰোঁ। এতেকে ন্যায় বিচাৰ কৰি মোৰ ল'ৰাকে শূলত দিম।" ৰজাৰ ল'ৰাক শূলত দিবৰ হুকুম হলত মন্ত্ৰীয়ে ভাবিলে, "বৰ বেয়া কথা হল ; এটা বুধি কৰি ইয়াক একৰাৰ লাগিল।" ইয়াকে ভাবি মন্ত্ৰীয়ে ৰজাক কলে, "স্বৰ্গদেউ, এই কেঁচুৱা ল'ৰাটি শূলত নধৰে, গাই-গাখিয়ে শকত এটা ডাঙৰ মানুহ হলেহে শূলত ভালকৈ বহৰাব পৰা যাব।" ৰজাই মন্ত্ৰীৰ কথা শুনি হুকুম দিলে, "মোৰ ৰাজ্যত যি গায়ে-গাখিয়ে শকত ডাঙৰ মানুহ আছে, তাকে ধৰি আনি মোৰ কোঁৱৰৰ সলনি শূলত দিয়া হওক।" মন্ত্ৰীয়ে নগৰত ডাঙৰ গাৰে মানুহ এটা বিচাৰিবলৈ টেকেলা পঠিয়াই দিলে।

ইফালে পণ্ডিতে আৰু তেওঁৰ ছাত্ৰৰে ৰজাৰ নগৰত থাকি সস্তা জহা চাউলৰ ভাত আৰু ঘিউ খাই গায়ে-গাখিয়ে ডাঙৰ হৈ পৰিছিল। পণ্ডিত কৰবালৈ ওলাই গৈছিল এনেতে ৰজাৰ মানুহে ছাত্ৰকে গায়ে-গাখিয়ে শকত দেখি ধৰি লৈ গুচি আহিল। পণ্ডিত ঘৰলৈ উভতি আহি ছাত্ৰক নেদেখি সি কলৈ গল আক-তাক সুধি জানিলে যে ৰজাৰ মানুহে তাক শূলত দিবলৈ লৈ গল। এই কথা শুনি পণ্ডিত ৰজাৰ ঘৰ ওলালগৈ। ৰজাক পণ্ডিতে আশীৰ্বাদ কৰিলত ৰজাই তেওঁক কোন বুলি সুধিলে। পণ্ডিতে কলে—"মই পণ্ডিত, হাত চাব জানো আৰু গণি-পঢ়ি ভূত-ভবিষ্যত সকলো কথা কব পাৰোঁ।" ৰজাই নিজৰ আৰু ৰাণীৰ হাত দেখুৱালত, গণকজনে নানা ভাল কথা কৈ ৰজাক সন্তুষ্ট কৰিলে। এনেতে ৰজাই কলে, "কাইলৈ ৰাতিপুৱা এটা মানুহক শূলত দিয়া হব, তাৰ বিষয়ে তুমি কি কব পাৰা ?" এই কথা শুনি পণ্ডিতে অনেক গণি-পঢ়ি চাই কলে, "উঃ মহাৰাজ তাৰ কপালখন বৰ বলী ! কাইলৈ সেই সময়ত যি মানুহক শূলত দিয়া যাব সেই মানুহেই তৎক্ষণাৎ স্বৰ্গ পাই স্বৰ্গৰ ৰজা হব।" ৰজাই এই কথা শুনি জপিয়াই উঠি কলে, "মই থাকোঁতে ক'ৰ কুকুৰধুলি মানুহ এটা স্বৰ্গৰ ৰজা হবগৈ হেঁ ? এনে কথা মই কেতিয়াও হবলৈ দিব নোৱাৰোঁ।" এই বুলি ৰজাই তেতিয়াই মন্ত্ৰীক মতাই আনি হুকুম দিলে যে "সেই ডাঙৰ মানুহটোক এতিয়াই এৰি দিয়া আৰু কাইলৈ মইহে শূলত উঠিম। আন কোনো উঠিব নোৱাৰে।" যেনে হুকুম তেনে কথা হল। পিচদিনা অবচুৰ ৰজাক শূলত দিয়া হল।

পানেশৈ

এখন গাঁৱত এজনী বুঢ়ী আছিল। তাইৰ এটা মৰমৰ ল'ৰা আছিল। লৰাটোৱে এদিন পাণনি চুককি থাকোতে হঠাৎ হাঁহ-কণী এটা পাই মাকক দিলেগৈ। মাকে কণীটো ধোৰাঁচাঙৰ ওপৰত তুলি থলে। কণীটো ফুটি তাৰ পৰা এজনী দিব্য ছোৱালী হৈ মনে মনে ধোৰাঁচাঙতে লুকাই থাকিল। বুঢ়ী ফুৰিবলৈ গলে ছোৱালীজনীয়ে সদায় চাঙৰপৰা নামি আহি বুঢ়ীৰ ঘৰৰ পইতা ভাত খাই তপত এগাল বান্ধি থৈ মনে মনে চাঙৰ ওপৰত উঠি থাকেগৈ। এদিন বুঢ়ীৰ মনত গাজিলে—মই চকুত পইতা ভাত থৈ যাওঁ, কোনেনো দিনৌ পইতা খাই তপতগাল বান্ধ থৈ যায়হি? বুঢ়ীয়ে এদিন বুধি পাতি ওচৰ-চুবুৰীয়াক ডাঙৰ ডাঙৰকৈ কলে, "আজি মই দূৰলৈ ফুৰিবলৈ যাম। তহঁতে মোৰ ঘৰ চাবি দেই।" এই বুলি বুঢ়ীয়ে কৈ দুৱাৰৰ চুকত লুকাই থাকিল। আন দিনাৰ দৰে ছোৱালীজনীয়ে বুঢ়ী ওলাই গল ভাবি নামি আহি পইতা-গাল খাই তপত এগাল বান্ধ থৈ, বাবেদি চাঙলৈ উঠি যাওঁতেই বুঢ়ীয়ে খপ্‌কৰে ছোৱালীজনীৰ ভৰিত ধৰিলে। বুঢ়ীয়ে তেতিয়া "তই ক'ৰ ছোৱালী? ইয়াত তই কেনৈ আছ?" বুলি সোধাত তাই আঁতিগুৰি সোপাকে ভাঙি বুঢ়ীক কৈ দিলে। সেইদিনাখনৰেপৰা তাই বুঢ়ীৰ ঘৰত দেখা শুনাকৈ থাকিল আৰু বুঢ়ীয়ে তাইৰ নাম পানেশৈ দিলে; অইন মানুহে এইজনী ক'ৰ ছোৱালী বুলি সুধিলে বুঢ়ীয়ে "মোৰ জী" বুলি কয়।

বুঢ়ীৰ পুতেক লাহে লাহে ডেকা হৈ উঠিল। পানেশৈকে তাৰ বিয়া কৰাবৰ মন গ'ল। কিন্তু লাজত সি মাকক একো কব নোৱাৰি বোহ-ঘৰৰ ভিতৰত ওখ চাঙত উঠি শুই থাকিলগৈ। ইপিনে মাকে পুতেকক বিচাৰি গোটেইখন খলক লগালে, পুতেক নাই। পাছে বুঢ়ীয়ে বোহঘৰ সাৰিবলৈ যাওঁতে চাঙৰ তলত তামোলৰ চোবা এখন পৰি থকা দেখি ওপৰলৈ চাই পুতেকক দেখি মাতিলে—"বোপাই নামি আহ, তোক মই যিহকে লাগে তাকে দিম।" এতিয়া পুতেকে মাকক কলে যে—তাৰ পানেশৈক বিয়া কৰাবৰ মন গৈছে। বুঢ়ীয়ে এবাৰ নোৱাৰি মান্তি হৈ, পানেশৈয়ে গম নোপোৱাকৈ তলে তলে বিয়াৰ দিন ঠিক কৰিলে। বিয়াৰ দিনা পানেশৈয়ে নৈৰ ঘাটত মাহ হালধি বাটি আছে, এনেতে সিকালৰ পৰা মগনিয়াৰ বুঢ়ী এজনী আহি পানশৈক—"আই মোক মাহ দুটামান দিয়া" বুলি খুজি অহিৰ ওচৰতে বহিলহি। পানেশৈয়ে "মা ক'ৰ বুঢ়ী। মই ককাইৰ বিয়ালৈ মাহ হালধি বাটিছোঁ, তোক কেনেকৈ দিম?" এই বুলি কলে। বুঢ়ীয়ে "মাক আই ভাল, ককায়েৰৰ বিয়ালৈ মাহ হালধি বাটিছ; ছোৱালী কোন কব পাৰ নে?" এই বুলি সুধিলে। পানেশৈয়ে "নোৱাৰোঁ। কব বাই; কোন নো কচোন?" বুলি বুঢ়ীক সোধাত বুঢ়ীয়ে কলে, "ছোৱালী আৰু কোন হব আই, তোৰে লগত বিয়া পাতিছে।" পানেশৈয়ে কথাটো শুনি ভয় খাই বুঢ়ীক "বাই মইনো এতিয়া কি কৰিম কচোন?" বুলি সোধাত বুঢ়ীয়ে কলে, "তই ইকৰাৰ নাও এখন আৰু ইকৰাৰ বঠা এপাত লৈ তহঁতৰ ঘৰৰ পিচত থকা বৰ পুখু-ৰীতে খেলাই থাকগৈ। তোক মাতিলে কেতিয়াও নাহিবি। ৰাতি হলে পুখুৰীৰ পাৰতে থকা চোৱা গছৰ মূঢ়াতে সোমাই থাকিবিহি" বুলি বুধি দি গুচি গল। পানেশৈয়ে ঘৰলৈ আহি ইকৰাৰ নাও আৰু ইকৰাৰ বঠা এখন লৈ পুখুৰীত খেলাই থাকিবলৈ ধৰিলে। মাকে মাতেহে মাতে পানেশৈ নাহে। পানেশৈ নহা দেখি মাকে বিনাই বিনাই মাতিলে—

"পানেশৈ, পানেশৈ, মোৰ আই পানেশৈ
মোৰ ঘাটে চপাই দে নাও।
দুহাতে দুমুঠি দি যাম চাৰি মুঠি
ডিঙিতও পিন্ধামে হাৰ।
খাটলিপীৰাতে বহি ভাতে খাবি
বেটীয়ে ধৰিব আল।"

পানেশৈয়ে উত্তৰ দিলে—

"দুহাতে দুমুঠি নলওঁ চাৰি মুঠি
তোৰ ঘাটে নচপাওঁ নাও।
খাটলিপীৰাতে বহি ভাতে নাখাওঁ
বেটীয়েও নধৰক আল।"

ককায়েকেও পানেশৈক মাতিলে—

"পানেশৈ পানেশৈ, মোৰ ভনী পানেশৈ,
মোৰ ঘাটে চপাই দে নাও।
দুহাতে দুমুঠি দি যাম চাৰি মুঠি,
ডিঙিতো পিন্ধাম মই হাৰ।
খাটলিপীৰাতে বহি ভাতে খাবি,
বেটীয়ে ধৰিব আল।"

পানেশৈয়ে উত্তৰ দিলে—

"ককাইদেউ ককাইদেউ, অ' মোৰ ককাইদেউ,
তোৰ ঘাটে নচপাওঁ নাও।
দুহাতে দুমুঠি নলওঁ চাৰি মুঠি,
ডিঙিতো নিপিন্ধো হাৰ।
খাটলিপীৰাতে বহি ভাতে নেখাওঁ,
বেটীয়ে নধৰক আল।
আগেয়ে আছিলা মৰমৰ ককাইদেউ,
এতিয়া হলাহি স্বামী।"

পানেশৈয়ে এইদৰে কৈ একোতে নাহিলত, মাক আৰু ককায়েক বেজাৰত ঘৰলৈ গুচি আহিল। দিনত পানেশৈয়ে ইকবাৰ পাতৰ নাও আৰু বঠা লৈ এইদৰে খেলাই ফুৰে, ৰাতি চোৰাগছৰ মুঢ়াতে সোমাই থাকে।

এদিন ককায়েকে চোৰাৰ মুঢ়াৰ ওপৰত উঠি বৰশী বাইছিল। বৰশীত মাছে নুখুটি কেৱল কাণী-পুঠি দুটামানে খুটিছিল। তাকে দেখি পানেশৈয়ে মুঢ়াৰ ভিতৰৰপৰা মাত লগালে—

"একো মাছে নোখোটে, খোটে কাণীপুঠি।
ককায়ে বৰশী বায় চোৰা মুচাত উঠি।"

এইদৰে কেবা বাৰো মাতি আছে। ককায়েকে শুনি থাকি ইয়াত নো কি আছে বুলি মুঢ়াটো কুঠাৰ এখন আনি চিটাচিট কৰি পেলালেহি। এনেতে সেই মগনিয়াৰ বুঢ়ীজনী আহি এচটা খৰি খুজিলে। সি খঙত জ্বলি উঠি কলে, "বেটী তয়ে মোৰ বিয়াখন ভাঙিলি। এতিয়া আকৌ খৰি বিচাৰি আহিছ। যা তোক খৰি নিদিওঁ।" বুঢ়ীয়ে নৈৰ পলবোকাত চিটকি পৰি থকা চলি এচটাকে লৈ গুচি গল। চলি চটা বুঢ়ীয়ে ধুই পখালি ধোঁৱা চাঙত তুলি থলেগৈ, পানেশৈ সেই চলিতে সোমাই আছিল। বুঢ়ী বাহিৰলৈ ওলাই গ'ল, পানেশৈয়ে চৰুৰ পইতা-গাল খাই তপত ভাত বান্ধি থয়। এইদৰে বহুত দিন গল। এদিন পানেশৈ বুঢ়ীৰ হাতত ধৰা পৰিল। দিনত পানেশৈয়ে বুঢ়ীৰ ঘৰত খুৰী ঘিলাহাঁহ এজনী হৈ থাকে, ৰাতি ছোৱালী হৈ বুঢ়ীৰ লগতে শুই থাকে। এদিন ককায়েকে এই বুঢ়ীৰ চোতালতে সমনীয়া ল'ৰা দুটামানৰ সৈতে ঘিলা খেলি আছিল। পানেশৈ খুৰী হাঁহজনী হৈ ওচৰতে টোক্‌টোকাই আছিলহি। ককায়েকে ঘিলাটো মাৰি দিলতেই তাই থাপ মাৰি লৈ গল। ককায়েকে ভাবিলে, "এইজনী হাঁহ তো কম নহয়, এই হাঁহ নহয় কিবাহে।"

ইয়াকে ভাবি সি বোহঘৰত সোমালহি। মাকে কি হৈছে বুলি তাক সুধিলত সি কলে, "বুঢ়ীৰ ঘৰৰ হাঁহজনী মোক লাগে।" মাকে মগনিয়াৰ বুঢ়ীক ৰবকৈ ধৰি ৰূপবান দি হাঁহজনী আনি পুতেকক দিলে। পুতেকে হাঁহজনী আতোল-তোলকৈ মৰম কৰি ৰাখে আৰু ৰাতি নিজৰ লগতে পোৰাপাটাত শুৱাই থয়। এদিন মগনিয়াৰ এজনীয়ে ল'ৰাটোৰ পৰা সকলো বৃত্তান্ত শুনি কলে, "বোপাই সেইজনী হাঁহ নহয় তোৰ পানেশৈহে। আজি ৰাতি তই টোপনিৰ ভাও ধৰি পৰি থাকিবি। তোক হাঁহজনীয়ে খুচিব, কিন্তু তই নুঠিবি। তেতিয়া তোৰ টোপনি আহিছে বুলি ভাবি তাই মোট সলাই বাহিৰলৈ যাওঁতেই তই মোটটো তুঁহ জুই একুৰাত সুমাই দিবি। তাই তেতিয়া ভিতৰলৈ লৰি আহি মুচুকচ্‌ গৈ পৰিব। তেতিয়াই তাইৰ মূৰত তেল পানী নেমুটেঙা থপিয়াই দিবি আৰু বিচনীৰে বীচিবি। তেনে কৰিলেই তাই জ্ঞান পাব।" এই বুলি মগনিয়াৰ বুঢ়ী গুচি গল। ল'ৰাই ৰাতি ঠিক মগনিয়াৰ বুঢ়ীয়ে কোৱাৰ দৰে কৰিলত হাঁহজনী এজনী দিব্য ছোৱালী হৈ পৰিল। তায়ে সেই পানেশৈ। ইয়াৰ পিচত সি তাইক বিয়া কৰাই ঘৰ পাতি বহুত দিন সুখেৰে কটালে।

—

জোঁৱাইৰ সাধু

এদিন এটা মানুহে তাৰ জোঁৱায়েকক বিহু খাবলৈ মাতিছিল। জোঁৱায়েকে শহুৰেকৰ নিমন্ত্ৰণ ৰাখিবলৈ আবেলি বেলিকা ঘৰলৈ যাবলৈ ওলাল। শহুৰেকে অকলৈ যাবলৈ কৈছিল সেই কাৰণে সি কোনো মানুহ লগত লৈ যোৱা নাছিল। কিন্তু সি অলপ বাট গৈ দেখিলে,—তাৰ লগত তাৰ ছাঁটোও আহিছে। সি ভাবিলে, শহুৰে মোক কোনো মানুহক লগত নিনিবলৈ কৈছে, যদি এতিয়া ছাঁটো মোৰ লগত লৈ যাওঁ তেন্তে শহুৰে মোক নিশ্চয় খং কৰিব। ইয়াকে ভাবি সি ছাঁটোক কলে,—"হেৰ তোক কি লাগে, কিয় আহিছ? গুচি যা।" কিন্তু ছাঁটোৱে নমতা দেখি সি আকৌ সুধিলে "তই নামাত কিয়? চেলেংখন লাগে নে কি?" এই বুলি যেতিয়া সি মূৰ লৰালে তেতিয়া অলপ ছাঁটোৱেও মূৰ লৰালে। ছাঁটোৱে মূৰ লৰোৱা দেখি সি ভাবিলে, ইয়াক চেলেংখন লাগে। ইয়াকে ভাবি সি চেলেংখন তাতে পেলাই গুচি গ'ল। গৈ সি আকৌ ছাঁটো দেখিলে। সি এইবাৰ তাৰ চোলাটো ছাঁটোক দিলে। এইদৰে তাৰ চুৰিয়া, গামোছা সকলোকে দি অন্ত কৰিলে। লাহে লাহে গধুলি হৈ আহিল, ছাঁ নেদেখা হ'ল। তেতিয়া ভাবিলে ছাঁটো গ'ল। সি কুকুৰীকণা আছিল, সেই কাৰণে অলপ গৈয়েই বাট নেদেখা হ'ল। এনেতে সি তাৰ শহুৰেকৰ বুঢ়া গৰু এটা দেখিলে। সি বুঢ়া গৰুটোৰ নেগুৰত ধৰি তাৰ পিছে পিছে যাবলৈ ধৰিলে। অলপ সময়ৰ পাছত সি ঘৰ পালেগৈ। কিন্তু তাৰ গাত চুৰিয়া নথকাৰ কাৰণে সি শহুৰেকৰ আগত ওলাবলৈ লাজ কৰি কলগছ এজোপাৰ তলত চুৱাপাতনিত বহি থাকিল। শহুৰেকে জোঁৱায়েক আহিব বুলি বহুত ৰাতিলৈকে বৈ আছিল। পিচত

মহা দেখি খাই-বই শুই থাকিল। শাহুৰেকে চুৰা-ভুৰা ধুই এদ্মাৰে-মুদ্মাৰে চুৰাপানী আনি চুৰাপাতনিলৈ মাৰি পঠিয়ালত জোঁৱায়েকৰ মূৰত পৰিল। জোঁৱায়েকে উগ্ উস্ বুলিলত শাহুৱেকে এইটো কি বুলি ভয় খাই লৰ মাৰি ভিতৰ সোমাল। পিচত শহুৰেকে চাকি লৈ চাই জোঁৱায়েকক দেখি মাতি আনিলে আৰু গা-পা ধুৱাই কাপোৰ-কানি দি ভাত খাবলৈ দিলে। ভাতৰ লগতে তাক গুড় দিছিল। সি গুড় কেতিয়াও নেদেখা কাৰণে—"এইবিলাক নাখাওঁ" বুলি ক'লে। শহুৰেকে কলে—"খোৱাঁ, এই জুলিয়া গুড় খাবলৈ বৰ ভাল।" তেতিয়া অলপ খাই চাই সোৱাদ পাই "এইবিলাক ক'ত আছে" বুলি সুধিলে। শহুৰেকে ক'লে, "সোৱা বৰ-চাঙৰ ওপৰত কলহত আছে।" সি ভাত খাই উঠিলত শহুৰেকে জোঁৱায়েকক শুবলৈ দি শুই থাকিল। জোঁৱায়েক শুলে, কিন্তু তাৰ টোপনি নাহিল, কাৰণ তাৰ মনটো গুড়তহে পৰি আছিল। যেতিয়া সি শহুৰেকৰ টোপনি অহা যেন গম পালে, তেতিয়া মাৰি এডাল লৈ ওপৰত থকা গুড়ৰ কলহটো ফুটাই তলত মুখ পাতি গুড় খাবলৈ ধৰিলে। খাই অঁতাই দেখে গুড় গাত পৰি তাৰ গাটো এঠা-এঠি হল। তুলী কৰিবলৈ থোৱা কিছুমান তুলা সি দেখিবলৈ পালে। সি উপায় নাপাই তাৰ ওপৰতে বাগৰ দিলে। তাৰ পিচত সি দেখিলে তাৰ গাটো গোটেই বগা নোমাল হল। ওচৰতে গোটাচেৰেক ছাগলী বন্ধা আছিল, তাকে দেখি তেতিয়া সি মনে মনে ছাগলীৰ মাজতে থাকি ৰাতিটো কটাওঁ বুলি সোমাই থাকিল। সেইদিনা চোৰে ছাগলী চুৰ কৰিবলৈ আহিছিল। সিহঁতে ভাবি আহিছে যে যিটো ছাগলীৰ নোমত ধৰিলেই নোম উঠি আহিব সেইটো ছাগলীকে নিব লাগে, কাৰণ তেনেকুৱা ছাগলীৰ তেল বেছি। সিহঁতে আহি পোনেই মানুহটোৰ গাত হাত দি দেখিলে যে তাৰ নোমবোৰ উঠি আহিছে। সেইদেখি তাকেই তেলাল ছাগলী বুলি ভাবি ভাল পাই বান্ধি সাজী কৰি সিহঁতে লৈ গল। সিহঁতে বাওঁতে এখন নৈ পাৰ হৈছিল। যেতিয়া সিহঁতে নৈৰ মাজ পালেগৈ তেতিয়া মানুহটোৰ টিকা পানীত লাগি তিতিল। সি চোৰ কেইটাক ক'লে,—

"দাং দাং চোৰ
টিকা তিতিল মোৰ।"

তেতিয়া চোৰ কেইটাই ছাগলীয়ে মাতিছে বুলি আচৰিত হৈ ভয় খাই তাক পানীত পেলাই লৰ মাৰিলে। পানী তৰাং আছিল দেখি সি বুৰি মৰৰি লাহে লাহে পাৰত উঠি বহিলহি। এনেতে ৰাতি পুৱাল। নৈৰ পাৰত সি বহি থাকোঁতে শহুৰেকে বিচাৰি বিচাৰি তাক পালেগৈ আৰু ঘৰলৈ আনি ধুৱাই-মুৱাই তাৰ পিচত তাক নিজা ঘৰলৈ পঠিয়াই দিলে।

—

কুকুৰীকণা

এখন গাঁৱত এটা মানুহৰ দুজনী ৰূপহী জীয়েক আছিল। ডাঙৰজনীৰ নাম ৰূপেশ্বৰী, সৰুজনীৰ নাম গুণেশ্বৰী। ৰূপেশ্বৰীক বিয়া দিবৰ হলত, বাপেকে তাৰ গাঁৱত অনেক প্ৰবন্ধ কৰি দৰা বিচাৰিবলৈ ধৰিলে, কিন্তু ছোৱালীৰ যোৰৰ দৰা বিচাৰি নাপালে। সেইদেখি দূৰৰ গাঁৱত দৰা বিচাৰিবলৈ বুলি বাপেক ওলাল। এনেতে ৰূপেশ্বৰীৰ মাকে গিৰিয়েকক কলে, "আপুনি দূৰলৈ দৰা বিচাৰি নাযাব, দূৰত মই মোৰ ছোৱালী বিয়া নিদিওঁ। ওচৰতে বিয়া দিলে মই সততে ছোৱালীজনী দেখি থাকিবলৈ পাম; দূৰৈত দিলে সেইটো কেনেকৈ হ'ব?" গিৰিয়েকে ঘৈণীয়েকৰ কথা এৰাব নোৱাৰি অগত্যা ওচৰতে ডেকা ল'ৰা এটাৰে সৈতে জীয়েক ৰূপেশ্বৰীক বিয়া দিলে।

ৰূপেশ্বৰীৰ গিৰিয়েক কুকুৰীকণা আছিল; কিন্তু সেই কথা সি লুকাই ৰাখিছিল। সেইদেখি গাঁৱৰ আন আন মানুহে আৰু তাৰ শহুৰেকে সেইটো নাজানিছিল।

জোঁৱায়েকে শহুৰেকৰ গৰু এটা খুজি আনি দিনচেৰেক হাল বাইছিল। এদিন শহুৰেকে জোঁৱায়েকক গৰুটো ওভতাই খুজি পঠিয়ালে। সেইদিনা দৈবাৎ গৰুটো ঘৰলৈ উভতি অহাত সন্ধ্যা লাগিছিল। কুকুৰীকণা জোঁৱায়েক মজিলত পৰিল—কেনেকৈ সি গৰুটো সি শহুৰেকৰ ঘৰত দিয়েগৈ। সি ভালেখিনি পৰ ভাবি-চিন্তি থিৰ কৰিলে যে "গৰুটো শহুৰৰ ঘৰ-মুৱাকৈ এৰি দি তাৰ নেজতে ধৰি মই গৈ থাকোঁ; তেনেহলে সি নিশ্চয় তাৰ চিনাকি ঘৰ ওলাবগৈ।" সি তাকে কৰিলত, গৰুটো গৈ তাৰ আগৰ গোহালিত সোমালগৈ আৰু সিও তাৰ নেজত ধৰি গৈ সেই খিনি পালেগৈ। এনেতে শহুৰেকে জোঁৱায়েকক দেখা পাই সুধিলে, "সেইটো জোঁৱাই নে?" জোঁৱায়েকে উত্তৰ দিলে—"আপুনি গৰুটো খুজি পঠিয়াইছিল দেখি আনি গোহালিত বান্ধিছোঁহি।" ইয়াৰ পিচতো জোঁৱায়েক ওলাই নহা দেখি শহুৰেকে মাত লগালে, "ওলাই আহা, ভাত কি কৰিছা? হাত-ভৰি ধুই বহি বেলি এমুঠি ভাতকে খোৱাহি। লোখোৱাকে

নাখাবা।" জোঁৱায়েকে উত্তৰ দিলে, "এবা আপোনালোকৰ গোহালিত গৰু কেইটা আছে তাকে লেখিহে চাইছো এতিয়া।" শহুৰেকে কলে, "এহ কিনো গৰু লেখিবা, টিলৌটিপৌ মেৰেৰা চেবেলা গৰু গোটাচেৰেক হে আছে; ভালেকেইটা আৰু-বেলি ছুৰকাত পৰি মৰিহাজি চুকাইছে" বুলি শহুৰেক ভিতৰ সোমাই গৈ জীয়েক গুণেশ্বৰীক কলে, "আই ঘটি এটাত পানী এঘটি লৈ যা, ভিনীহিয়েৰক মাতি আনি ভৰি ধুবলৈ পানী দি বহুৱাগৈ।"

সিফালে জোঁৱায়েকে গোহালিৰ পৰা ওলাই ঘৰলৈ উভতি যাবলৈ বাট খেপিয়াই ফুৰিছিল, এনেতে খুলশালীয়েকে মাত লগালে,—"ভিনীহিদেউ, আহা ভৰি ধোঁৱাহি, পানী আনিছোঁ।" ভিনীহিয়েকে খুলশালীয়েকৰ মাত শুনি উত্তৰ দিলে,—"আইটী নে? আহা, মোক আদৰি নিয়াহি, নহলে মই এনেয়ে নাযাওঁ; মোৰ নিচিনা ভিনীহি নো ক'ত পাইছিলা?" এই কথা শুনি সৰল মনৰ গুণেশ্বৰীয়ে ভিনীহিয়েকৰ হাতত ধৰি কাৰৌ-কোকালি কৰি লৈ গৈ ভৰি ধুবলৈ ভিনীহিয়েকক পানী ঘটি আগবঢ়াই দিলে। এনেতে ভিনীহিয়েকে মাত লগালে,—"তুমি মোৰ ভৰি ধুৱাই দিয়া; আজি ভালেমান দিনৰ মূৰত আহিছোঁ; তোমালোকে দেখিছোঁ মোক সমূলি মৰম নকৰা।" গুণেশ্বৰীয়ে এই কথা শুনি ভিনীহিয়েকে ধেমালি কৰিছে বুলি ভাবি ভিনীহিয়েকৰ ভৰি ধুৱাই দি হাতত ধৰি বহিবলৈ চৰা পাৰি দি "বহা" বুলি তাতে বহুৱাই দিলে।

এইদৰে জোঁৱায়েক কিছুপৰ বহি থকাৰ পিচত ভাত খাবৰ হল। শহুৰেক ভাত খাবলৈ বহিল। শাহুৱেকে জোঁৱায়েকলৈ ভাত বাঢ়ি দি বহি আছে; জোঁৱায়েকক ভাত খাবলৈ মাতিছে কিন্তু সি উঠি নাহে। বৰকৈ মাতিলত, জোঁৱায়েকে উত্তৰ দিলে—"আজি মোৰ বৰ ভাগৰ লাগিছে, উঠিবই নোৱাৰোঁ। আপোনালোকৰ মোলৈ মৰম আছি যদি ইয়াতে ভাত দিয়ক খাওঁ।" জোঁৱায়েকৰ উত্তৰ শুনি শাহুৱেকে ভাত আনি দিলেহি। ভাত দিয়া হল, কিন্তু সি দেখিবলৈ নাপায়; নাখাই বৈ আছে। সেই দেখি গুণেশ্বৰীয়ে মাত লগালে, "খোৱা, ভিনীহিদেউ খোৱা।" ভিনীহিয়েকে উত্তৰ দিলে—"তুমি ভাতত মোৰ হাতখন লগাই দিলেহে খাম, নহলে নাখাওঁ; কাৰণ, তুমিনো আৰু কিমান দিন বাপেৰাৰ ঘৰত থাকিবা; অলপ দিনৰ মূৰতেই গুচিয়েই যাবা; এতেকে এই কেইদিনতে তোমাৰ হতুৱাই বন কৰাই লওঁ, তেহে মোলৈ মনত থাকে যদি।" ভিনীহিয়েকৰ কথা শুনি গুণেশ্বৰীয়ে তাৰ হাতখন ভাতত লগাই দিয়াত সি ভাত খাবলৈ ধৰিলে।

ইয়াৰ পিচত খুলশালীয়েকেও ভাত খাবলৈ ভিতৰলৈ উঠি গ'ল। অলপ পৰৰ পিচতে শাহুৱেকে ওলাই আহি দেখিলে যে জোঁৱায়েকেও আৰু সেই পাততে একালৰপৰা মেকুৰীয়েও ভাত খাব লাগিছে। তাকে দেখি শাহুৱেকে জোঁৱায়েকক ক'লে, "বোপা তুমি জানো দেখা নাই, তোমাৰ পাততে একালে মেকুৰীজনীয়ে ভাত খাব লাগিছে? খেদি নিদিয়া কেলৈ?" জোঁৱায়েকে উত্তৰ দিলে—"আই, খাওক দিয়ক; অকল মানুহে খালেই হয় নে? আন জীৱ-জন্তুৱেও খাব লাগে; মেকুৰীয়েও খাওক, মইও খাওঁ; সকলোৱে লাগিভাগি খাই শেষ কৰোঁহক।" শাহুৱেকে কৰে, "নহয় নহয়, মেকুৰীজনী খেদাই দিয়া। তোমাৰ অকণো ঘিণ নেলাগে নে?" এই বুলি শাহুৱেকে ছুহ ছুহ কৰি মেকুৰিজনী খেদাই দি, মেকুৰীজনী আকৌ আহিলে খেদাই দিবলৈ বুলি জোঁৱায়েকৰ হাতত ডোখৰা খৰি এডাল দি ভিতৰলৈ সোমাই গ'ল। ভিতৰৰপৰা আকৌ শাহুৱেকে ভজা মাছ আৰু চৰ্চৰীয়া আনি জোঁৱায়েকৰ পাতত দিওঁতে, জোঁৱায়েকে ভাবিলে যে আকৌ মেকুৰীজনীয়ে হে ভাত খাইছেহি। ইয়াকে ভাবি সি কাঠখৰিডালেৰে শাহুৱেকৰ হাতত মাৰ মাৰি দিলে। মাৰ খাই শাহুৱেক বহি পৰিল। উস্ উস্ কৈ শাহুৱেকে মাত লগালে,—"ভাল কৰিলা বোপা, তুমি মোৰ হাততে মাৰ মাৰি দিলা।" তেতিয়া জোঁৱায়েকে কি সৰ্ব্বনশীয়া কাম কৰিলোঁ বুলি জানি, শাহুৱেকৰ ভৰিত ধৰি ক'লে, "আই ভাত খাওঁতে খাওঁতে মোৰ টোপনি আহিছিল। মই সমাজিক দেখিছিলোঁ সেই মেকৰীজনীয়ে আকৌ মোৰ পাতত ভাত খাইছিল বুলি। সেই দেখি মেকুৰী বুলিহে মই মাৰ মাৰি দিলোঁ। আই মই আপোনাৰ দুটি ভৰিত ধৰি কাবৌকৈ মাতিছোঁ, মোক ক্ষমা কৰক আৰু এই কথা কাকো নকব।" শাহুৱেকে এই কথা শুনি জোঁৱায়েকক ক্ষমা কৰি বেজাৰ নকৰিবলৈ কৈ ভিতৰলৈ গলতে, জোঁৱায়েকে ভাতৰ পাতৰপৰা উঠি খপিয়াই বাহিৰলৈ আহি হাত মুখ ধুলে। এই ঘটনাৰ পিচত সি আৰু লাজত ভিতৰলৈ উভতি যাবলৈ মন নকৰি কাকো মাত নলগোৱাকৈ ঘৰলৈ উভতি যাবলৈ ধৰিলে। দোখোজমান গৈয়েই সি বাট বিচাৰি নাপাই চোতালৰ আগত থকা কচু-ৱনিত সোমালগৈ। কচুৱনিত সোমাই সি ভাবিলে, "এইখন ডাঙৰ হাবি, ৰাতি ইয়াৰপৰা ওলাই বাট বিচাৰি গৈ ঘৰ পোৱাটো মোৰ পক্ষে অসাধ্য; এতেকে আজি ৰাতিটোলৈ ইয়াতে মনে মনে সোমাই থাকি ৰাতি পুৱালেই কোনেও নেদেখাকৈ ঘৰলৈ যামগৈ।" ইয়াকে ভাবি সি নিশ্চিন্ত মনে তাতে বহি থাকিল। ইফালে শাহুৱেক-শহুৰেকে

জোঁৱায়েকক নেদেখি, সি ঘৰলৈ গুচি গ'ল ভাবি মনে মনে থাকিল। ইয়াৰ অলপ পিচতে শাহুৱেকে চুৱা ধুই চৰিয়াৰ চুৱা পানীবোৰ বাহিৰলৈ ওলাই আহি কচুবনিৰ মাজলৈ মাৰি পঠিয়ালে। চৰিয়াৰ পানীবোৰ দীঘল দীঘল কচুৰ পাতত পৰি, তাৰ পৰা ছিটিকি গৈ জোঁৱায়েকৰ গা-মূৰ তিয়াই পেলালে। এইদৰে গাত পানী পৰিলত, জোঁৱায়েকে ভাবিলে, বৰষুণহে দিছে। তাকে ভাবি সি মাত লগালে,— "হে মেঘ দেৱতা, কুকুৰীকণাৰ প্ৰতি প্ৰসন্ন হোৱা, আৰু বৰষুণ নিদিবা, আজি যিবোৰ দুখ পাইছো সেইবোৰেই আঁটিছে আৰু দুৰ্ভগীয়াক দুখ নিদিবা।" জোঁৱায়েকৰ মাত শুনি শাহুৱেকে লৰালৰিকৈ চাকিটো উলিয়াই আনি দেখে, জোঁৱায়েক কচুবনিৰ মাজত জুকলি-জুপুৰি হৈ বহি আছে। তেতিয়া শাহুৱেকে জোঁৱায়েক কুকুৰীকণা বুলি বুজিব পাৰি গিৰিয়েক আৰু জীয়েকক মাতি আনি সকলো কথা কৈ, জোঁৱায়েকক তাৰপৰা ধৰি-মেলি আনি গা-পা ধুৱাই, শুকান চুৰিয়া পিন্ধাই পাটীত শুৱাই থৈ দিলে।

ভেকুলীৰ সাধু

এখন গাঁৱত এটা বুঢ়া আৰু এজনী বুঢ়ী আছিল। সিহঁত অপুত্ৰক আৰু বৰ দুখীয়া আছিল। এদিন গাঁৱৰ মানুহে মাছ ধৰিবলৈ বুলি পল জুলুকি লৈ উকিয়াই ওলালত বুঢ়া-বুঢ়ীবো গা উঠিল। বুঢ়াৰ ভগা পল এটা আৰু বুঢ়ীৰ ভগা জকাই এখন আছিল, তাকে লৈ মাছলৈ দুয়ো ওলাল। বিলত নামি গাঁৱৰ মানুহে গাইপতি ভাৰে ভাৰে মাছ মাৰিছে। কিন্তু বুঢ়া-বুঢ়ীয়ে চৰিয়াই চৰিয়াই চন্দা এটাও ধৰিব নোৱাৰিলে। শেষত বুঢ়াৰ খং উঠি বুঢ়ীৰ লগতে দল এখন পাতি লৈ উত্তৰা-উত্তৰি কৰি বুঢ়ীৰ ওপৰত খং সাৰিবলৈ ধৰিলে। বুঢ়ীয়ে বুঢ়াৰ গালিত মনত বৰকৈ বেজাৰ পাই ভগা জকাইখন লৈ আকৌ চাবচেৰেক মাৰিলত, তাইৰ জকাইত এটা ভেকুলী উঠিল। বুঢ়ীৰ জকাইত ভেকুলীটো উঠা দেখি বুঢ়াই খঙতে ছিটিকি পৰি ভেকুলিটোকে এসেকা দিওঁগৈ বুলি ঘৰলৈ লৈ আহিল।

ঘৰ পাই বুঢ়াই ভেকুলীটো চোতালত পেলাই কাঠখৰি এডাল আনি তাৰ মূৰত মাৰ মাৰি দিব খোজোঁতেই ভেকুলীটোৱে বুঢ়াক মাত লগালে, "ককা মোক নামাৰিবা, মই তোমাৰ ঘৰত ৰহতীয়া হৈ থাকি যি কৰিবলৈ কোৱা তাকে কৰিম।" বুঢ়াই উত্তৰ দিলে "বাক খ'। তই মোৰ ঘৰত ৰহতীয়া হৈ থাকি মোক সোণৰ সোলেং এটা দিবি দেখিছোঁ। মোৰ পথাৰত কিজানি তই হাল কোৰও বাই দিবি হবলা।" ভেকুলীয়ে কলে, "দিম হাল কোৰ বাই ককা। তুমি মোক ৰাখি চোৱাচোন।" ভেকুলীৰ কথাটো শুনি বুঢ়াই ভাবিলে, "চোৱাই যাওকচোন ইনো কি কৰে, ই দেখোন বৰ গঙপ মাৰিছে।" ইয়াকে ভাবি বুঢ়াই ভেকুলীটো নামাৰি ৰাখিলে। পিছদিনা পুৱাই বুঢ়াই ভেকুলীক কলে, "যাচোন গৰুহাল লৈ পথাৰলৈ, তইনো কি হাল বাব চাওঁ।" বুঢ়াৰ কথা শুনি ভেকলীয়ে গৰু আৰু নাঙল লৈ বুঢ়াৰ পথাৰত হাল বাবলৈ গ'ল। সেই দিনা ভেকুলীয়ে খুব হাল বালে আৰু হাল বাই অঁতাই পথাৰত আলি দিবলৈ লাগিল।

এনেতে এক বজাই চহৰ ফুৰিবলৈ আহি মানুহে-দুনুহে ভেকুলীয়ে হাল বাই আলি দিয়া মাটিডৰাৰ ওপৰেদি গচকি আলিটো ভাঙি তহিলং কৰি গ'ল। তাকে দেখি ভেকুলীয়ে ৰজাক নথে গালি পাৰিবলৈ ধৰিলে। ৰজাই গালি শুনি চাৰিওফালে চায়হে চায় কোনে গালি পাৰিছে, গৰুহালৰ বাহিৰে আন কাকো তাত নেদেখে। বাৰেপতি গালি পৰা শুনি ৰজাৰ অসহনীয় হলত, তেওঁ খং কৰি গৰুহালকে লৈ গুচি গ'ল।

ভেকুলীয়ে এই কাণ্ড দেখি লাহেকৈ বোকাৰ তলৰপৰা ওলাই উঠি বুঢ়াৰ ঘৰলৈ উভতি আহি বুঢ়া-বুঢ়ীক সকলো ভাঙি ক'লত বুঢ়া-বুঢ়ীয়ে বেজাৰ কৰিবলৈ ধৰিলে। ভেকুলীয়ে বুঢ়ীক কলে, "আই বেজাৰ নকৰিব, আপুনি মোক এদোনমান মাহ গোটকবাই দিয়ক, মই গৰুহাল আনিবলৈ যাওঁ।" বুঢ়ীয়ে সুধিলে, "তই গোটকবাই কি কৰিবি?" ভেকুলীয়ে কলে, "মই যি কৰো কৰিম, আপুনি মাথোন দিয়কচোন, একো চিন্তা নকৰিব।" বুঢ়াই কলে, "নেলাগে বোপাই তই গৰু আনিবলৈ যাব, ৰজাৰে সৈতে বিবাদ কৰি তই একো কৰিব নোৱাৰ, মৰাহে পৰিবি। মই মৰকীয়াকৈয়ে গৰু আনি যি পাৰো খেতি কৰিম, তই নালাগে যাব বোপাই।" কিন্তু ভেকুলীয়ে একোতে ক্ষান্ত নহৈ যাবলৈ ওলোৱা দেখি শেহত বুঢ়ীয়ে তাক এদোনমান মাহ গোটকবাই ভাজি দিলত সি তাকে লৈ ওলাই গ'ল। ভেকুলীয়ে জোলোঙাত মাহ গোটকবাই লৈ একোমুঠি খাই এই বুলি বাটে বাটে যাবলৈ ধৰিলে,—

"মাহ গোটকবাই খাওঁ,
বাটে বাটে যাওঁ,
মোৰ লগত যেয়ে আছে,
তাকো এগাল দিওঁ।"

ভেকুলীৰ কথা শুনি, মাহ গোটকৰাই খাবৰ লোভত অনেক সিংহ, বাঘ, ভালুক আদি বনৰীয়া জন্তু, আনকি মৌ, বৰল, কোদো প্ৰভৃতিও তাৰ লগ লাগিলহি। ভেকুলীয়ে সকলোকে একোগালকৈ মাহ গোটকৰাই খুৱাই বইচ কৰি গোটেইটো ঘটনা সিহঁতৰ আগত ভাঙি কলত সিহঁতে সেই কথা শুনি ৰজাৰে সৈতে যুঁজ দিবলৈ ভেকুলীৰ লগতে গল। ভেকুলীয়ে এটাইবোৰ জন্তুৰে সৈতে, মাটিৰ ধূলি উৰাই গুজৰি-গুমৰি ৰজাৰ পদূলি পাই ৰজালৈ কৈ পঠিয়ালে যে, "ৰজাই মোৰ গৰু ওভতাই দিবনে, মোৰ সৈতে যুঁজ দিব ?" ৰজাই যুঁজ হে দিম বুলি কলত, ৰজাৰ সৈন্যৰ সৈতে ভেকুলীৰ সৈন্যৰ ঘোৰ ৰণ লাগিল। ৰণত ৰজাৰ অলেখ সৈন্য আৰু দুটা ল'ৰা মৰিলত, ৰজা নিৰুপায় হৈ ভেকুলীৰ ভৰিত দীঘল দি পৰিলহি। ৰজাই ডিঙিত কাপোৰ মেৰাই ভেকুলীক কাকুতি কৰি কলে "যদি ভেকুলীয়ে মোক এইবাৰলৈ ক্ষমা কৰে, তেন্তে মই ভেকুলীক মোৰ অৰ্দ্ধৰাজ্য আৰু মোৰ জীক দিম।" এই কথা শুনি ভেকুলীয়ে ৰজাক ক্ষমা কৰিলে আৰু ৰজাৰ জীয়েকক বিয়া কৰাই ৰজাৰ জোঁৱাই হৈ, ৰজাৰ ঘৰতে থাকি, বুঢ়া-বুঢ়ীকো তাতেকে তুলি নৈ গৈ সুখেৰে কাল কটাবলৈ ধৰিলে।

তাৰৈয়েকৰ সাধু

দুজন বৰ মৰমৰ সখি আছিল। এজন মৰিবৰ সময়ত তেওঁৰ পুতেকক সখিয়েকৰ হাতত গতাই দি কলে—"সখি, মোৰ ল'ৰাটো তোমাক গতালোঁ; তুমি তাক বুধি ভাবনা দি চলাই-মেলি মানুহ কৰিবা।" পুতেককো সি কলে, "মোৰ সখিৰ হাতত তোক গতালোঁ; সখিয়ে তোক যিহকে কয় তাকে কৰিবি, যেনেকৈ চলায় তেনেকৈ চলিবি; কোনো কথাত সখিৰ বাহিৰৰ চুলি এডালৰ সমানো বাঁতৰ নহবি; কোনো কাম কৰিব লগীয়া হলে সখিৰ কাণ-চুৱাই হে কৰিবি।"

বাপেক ঢুকাল। পুতেকেও সেই মনেচিতেই থাকি তাৰৈয়েকৰ কথামতে চলি আছে। এদিন তাৰ ঘৈণীয়েকৰ ল'ৰা এটা উপজিলত সি তাৰৈয়েকক সেই বাতৰি দিলেগৈ। তাৰৈয়েকে তাক কলে, "তোমাৰ ঘৰৰ পিচফালে পোতা-পুখুৰীটোত ল'ৰাটো নি এভিয়াই পুতি থোৱাগৈ।" সি তাৰৈয়েকৰ কথাত অবাক হ'ল। কিন্তু বাপেকৰ আজ্ঞা সুঁৱৰি, একো নকৈ, ল'ৰাটো নি তাৰ ঘৰৰ পিছফালে পোতা-পুখুৰীত পুতি থলেগৈ। ইয়াৰ এবছৰ পিচত তাৰ আকৌ এটা ল'ৰা উপজিলত তাকো তাৰৈয়েকে আগৰ দৰে পুতি থবলৈ কলত, সি মনত বৰ বেজাৰেৰে তাৰৈয়েকৰ কথা সাৰোগত কৰি মানি তাকে কৰিলে। ইয়াৰ ডেৰবছৰমানৰ পিচত তাৰ ঘৈণীয়েকে ছোৱালী এজনী পালে। এইবাৰ সি ভাবিলে তাৰৈয়েকে আৰু আগৰ দৰে ছোৱালীজনী পুতি থবলৈ ব্যৱস্থা নিদিয়ে। কিন্তু সি বিস্ময় মানিলে যে তাৰৈয়েকে এই ছোৱালীজনীকো আগৰ ল'ৰা দুটাৰ দৰে সেই পোতা-পুখুৰীতে পুতি থবলৈ কলে। সি নিৰুপায় হৈ মনৰ বেজাৰ মনতে পুহি, তাৰৈয়েকৰ কথামতে ছোৱালীজনীকো পুতি থলে। ইয়াৰ দুবছৰমানৰ পিচত তাৰ ঘৈণীয়েকৰ আকৌ ল'ৰা এটা উপজিল। সি এইবাৰ ভাবিলে যে বাৰু তাৰৈক এই বাতৰি দিওঁ, কিন্তু যি থাকে কপালত, এইবাৰ তেওঁ এই ল'ৰাটো পুতি থবলৈ কলেও আৰু মই তেওঁৰ কথা নুশুনো। ইয়াকে ভাবি সি তাৰৈয়েকৰ ঘৰলৈ গৈ ল'ৰা হোৱা বাতৰি দিলত, তাৰৈয়েকে তাক কলে, "বোপা, এই ল'ৰাটো তুমি ধুৱাই-পখলাই লোৱাগৈ। কিন্তু মই এটা কথা তোমাক কওঁ,—তুমি তোমাৰ আগৰ ল'ৰা-ছোৱালী কেইটা য'ত পুতি থৈছিলা আজি সেইখিনিতে পল এটা পাতি তাৰ ওপৰত পৰ দি বহি থাকিবা।" তাৰৈয়েকৰ মতেই সি ঘৰলৈ গৈ ল'ৰাটো ধুৱাই-পখলাই ললে আৰু ৰাতি সেইদৰে পোতা পুখুৰীৰ মাজত পল এটা পাতি পৰ দি থাকিল।

ৰাতি দুপৰ হৈছে, এনেতে ৰৰটো ল'ৰাই গাঁতৰ ভিতৰৰপৰা মাত লগালে—"ভাইটি ঐ। মই থাকিবলৈ নাপালো। পোৱাহেঁতেন তাক থিয়ৈ থিয়ৈ শূলত দিলোঁহেঁতেন। উঃ কটা ভাল সাৰিল।" মাজুটো ল'ৰাই মাত লগালে—"ককাইটি ঐ। মই থাকিবলৈ পোৱা হলে তাৰ ডিঙিত চিপজৰী লগালোহেঁতেন। তাৰ তাৰৈয়েকে আমাৰ মগুহ খালে।" ইয়াৰ পিছত ছোৱালীজনীয়ে মাত লগালে—"কাইটিহঁত, যদি মই কেনেবাকৈ থাকিবলৈ পালোঁহেঁতেন তেন্তে তাৰ কেঁকোৰাই খোলাদি খুলি খুলি খালোহেঁতেন। কি কম ককাইটিহঁত মনৰ কথা মনতে ৰৈ গল।"

এইবোৰ কথা-বাৰ্ত্তা শুনি মানুহটোৱে তেতিয়া ভালকৈ বুজিলে যে তাৰ তাৰৈয়েকে তাৰ কি পৰম উপকাৰ কৰিলে। তেতিয়া তাৰৈয়েকৰ ওপৰত তাৰ আৰু ডাঠ বিশ্বাস হ'ল।

ইয়াৰ কিছুদিনৰ পিচত তাৰ ধান বেচিবৰ হলত সি তাৰৈয়েকক সুধিলে—"তাৰৈ, মোৰ ধানখিনি বেচিব খুজিছোঁ।" তাৰৈয়েকে তাক সুধিলে— "ধানৰ দৰ কি হৈছে ?" সি উত্তৰ দিলে, "টকাত

১২ পুৰা।" তাঁৰৈয়েকে কলে, "এতিয়া বেচিব নেলাগে। "

আৰু কিছুমান দিনৰ পিচত সি তাঁৰৈয়েকৰ ঘৰ ওলাই তাঁৰৈয়েকক কলে, "তাঁৰৈ, ধানৰ দৰ কমিল হে। এতিয়া কি কৰিম? লাহে লাহে কিজানি আৰু কমিব হে।" তাঁৰৈয়েকে সুধিলে—"কেই পুৰাকৈ হৈছে?" সি কলে, "এতিয়া ২০ পুৰা হল।" তাঁৰৈয়েকে কলে, "বোৱা এতিয়া বেচি দিয়াগৈ।" সি তাঁৰৈয়েকৰ কথামতেই টকাত ২০ পুৰাকৈ ধান বেচি টকাখিনি লৈ গৈ তাঁৰৈয়েকক দেখুৱালত, তাঁৰৈয়েকে কলে, "ভাল হৈছে; এতিয়া তুমি এই টকাৰে সোণ কিনি আনি সোণাৰিৰ হতুৱাই এটা লাড়ু গঢ়োৱা।" তাঁৰৈয়েকৰ কথামতেই সি সোণৰ লাড়ুটো কৰি আনি তাঁৰৈয়েকক দিলত, তাঁৰৈয়েকে কলে, "এই লাড়ুটো তুমি নৈত পেলাই দিয়াগৈ।" সি তাঁৰৈয়েকৰ কথা শুনি মনত বেজাৰ পাই অগত্যা সোণৰ লাড়ুটো নৈত পেলাই দিলেগৈ।

মাহচেৰেকৰ মূৰত মাছমৰীয়া এটাই এটা বৌমাছ বেচিবলৈ বুঢ়াৰ পুতেকৰ ঘৰলৈ আনিছিল। সি বৌমাছটো লৈ কাটিলতে তাৰ পেটত সেই সোণৰ লাড়ুটো ওলাই পৰিল। সি তাঁৰৈয়েকক লাড়ুটো দেখুৱালত, তাঁৰৈয়েকে তাক কলে, "তোমাৰ এইটোহে নিজৰ বস্তু। যোৱঁা এইটি ভালকৈ থৈ দিয়াগৈ। তুমি কিজানি আগেয়ে মোক তোমাৰ শত্ৰু বুলি হে ভাবিছিলা। এতিয়া মই দুইটা কথাৰ তোমাক পতিয়ন দিব পাৰি ঈশ্বৰৰ চৰণত সেৱা কৰিছোঁ। যোৱঁা বোপা, তুমি ধৰ্ম্মত মতি ৰাখি ঈশ্বৰৰ চৰণত নিৰ্ভৰ কৰি সকলো কৰিবলগীয়া কাম-কাজ কৰি সুখেৰে খাই-বৈ থাকাগৈ। কোনো চিন্তা নাই, প্ৰভুৱে তোমাক সততে মঙ্গল কৰিব।"

——

লট্‌কন

এখন দেশত লট্‌কন নামেৰে এটা বৰ দুখীয়া বামুণ আছিল। বামুণৰ বৈণীয়েকজনী বৰ মুখ-চোকা আছিল। গিৰিয়েকে টকা কড়ি ঘটি আনিব নোৱাৰে দেখি তাই সদায় গিৰিয়েকক দপালি থাকে। বৈণীয়েকৰ দপালনি খাই খাই এদিন বামুণৰ মনত বৰকৈ বেজাৰ লাগিল। সি ভাবিলে, "মই ঘৰৰ পৰা ওলাই যাওঁ। কণমান এগাল ঘটি আনিব নোৱাৰিলে আৰু মই ঘৰলৈ উভতি নাহোঁ।" ইয়াকে ভাবি বামুণ পুৱাই ঘৰৰপৰা ভাচি গ'ল।

বামুণে যাওঁতে যাওঁতে বেলি দুপৰ হল। তেতিয়ালৈকে তাৰ পেটত খুদ-কণ এটিও পৰা নাই। ভোকে পিয়াহে বামুণক জৰ্জ্জৰিত কৰিলে। এনেতে আলিৰ কাষতে বামুণে এখন মিঠৈৰ দোকান দেখি ওচৰ চাপি গ'ল। দুপৰীয়া মিঠৈৰ দোকানৰ গৰাকী-টোৱে খাই-বৈ উঠি তাৰ ৮ বছৰীয়া পুতেকক দোকান ৰখীয়া পাতি, সিটো কোঠালিত অলপ শুইছিল। বামুণ দোকানৰ ওচৰতে থিয় হলতে ল'ৰাটোৱে সুধিলে, "তোমাক কি লাগে? তোমাৰ নাম কি?" বামুণে উত্তৰ দিলে, 'মই মিঠৈ খাবলৈ আহিছোঁ; মোৰ নাম মাখি।" এই বুলি বামুণে টপ্‌কৰে মিঠৈ মুখত সুমাবলৈ ধৰিলে। বামুণৰ কাম দেখি ল'ৰাটোৱে বাপেকক মাতি কলে, "বোপাই, বোপাই, মাখিয়ে মিঠৈ খাইছে।" বাপেকৰ চিলাঋল্টক টোপনি আহিছিল, পুতেকে তাৰ টোপনিৰ ব্যাঘাত কৰা দেখি সি আমনি পাই উত্তৰ দিলে, "মাখিয়ে মিঠৈ খাইছে যদি খাওক, তই মোক দিগদাৰি কৰি নাথাকিবি।" এই কথা শুনি বামুণে লাহেকৈ কলে, "শুনিলি এতিয়া? তোৰ বাপেৰে মোক মিঠৈ খাবলৈহে কৈছে।" এই বুলি বামুণে মিঠৈ-বোৰ খাই আধ্যা কৰিলে। ল'ৰাটোৱে দেখি সহিব নোৱাৰি আকৌ ৰিঙিয়াই বাপেকক কলে, "বোপাই মাখিয়ে মিঠৈবোৰ খাই আধ্যা কৰিলে।" এইবাৰ বাপেকে ভেকাহি মাৰি দি কলে, "আধ্যা কৰিলে যদি কৰক, তই কেপ্‌কেপাই নাথাকিবি।" ল'ৰা-টোৱে এই কথা শুনি বাপেকক কথাটো ভালকৈ বুজাই কবলৈ ভিতৰলৈ উঠি গল আৰু সেই সুবুদ্ধাতে বামুণে মিঠৈৰ দোকানীৰ হাতনি-পেৰাটো আতে পৰি থকা দেখি তাৰপৰা দুকুৰি কপ উলিয়াই লৈ পলায়ন্বং কৰিলে। ল'ৰাটোৱে বাপেকক জগাই মাখিয়ে মিঠৈ খোৱা কথাটো ভাঙি কলত, বাপেকে বাহিৰলৈ ওলাই আহি দেখিলে যে তাৰ মিঠৈ এটাই-বোৰ খালে। সি তেতিয়া ল'ৰাটোক বৰকৈ খং কৰিলত, ল'ৰাটোৱে কলে, "মই দেখোন তোমাক শুৱিৰেপৰা কৈয়েই আছিলোঁ মাখিয়ে মিঠৈ খাইছে বুলি, তুমি হে কলা, খাওক।" বাপেকে কলে, "তই কৈছিলি, মাখিয়ে খাইছে বুলি; মানুহে খাইছে বুলি নকলি কিয়?" পুতেকে উত্তৰ দিলে, "সি মোক তাৰ নামটো মাখি বুলি কৈছিল।" বাপেকে কোন ফালে মানুহটো পলাই গ'ল পুতেকক সুধি লৈ তাৰ খোঁৰাটোৱো জ্বালাবিকৈ উঠি সেই ফালেই খেদি গ'ল।

বামুণে মিঠৈ খাই বেগাবেগিকৈ পলাই গৈ থাকি ভাগৰ লাগি বাটৰ কাষৰে গছ এজোপাৰ তলত বহি জিৰাইছিল। এনেতে হঠাৎ যাবিকপৰা এটা গাহৰি ওলাই আহি বামুণৰ কালে দৌৰি আহে।

বামুণে উঠি গছজোপাৰ চাৰিওফালে ঘূৰিবলৈ ধৰিলে আৰু গাহৰিটোও ঘূৰিবলৈ ধৰিলে। এইদৰে দুয়ো ঘূৰি থাকোতে এবাৰ বামুণে খপ্ কৰে গাহৰিটোৰ নেজত ধৰিলে। বামুণে গাহৰিৰ নেজত ধৰি ঘূৰি থাকোতে তাৰ খোচোনাৰপৰা সেই ৰূপবোৰ এটকা এটকাকৈ গছজোপাৰ চাৰিওফালে সিঁচৰিত হৈ পৰিল। বামুণেও গাহৰিৰ নেজডাল এৰিব নোৱাৰা হল, কাৰণ এৰিলেই তাক গাহৰিয়ে সাং কৰিব।

ইফালে মিঠৈৰ মালিকে ঘোঁৰাত উঠি গৈ সেইখিনি পাই দেখিলে যে এটা গাহৰিৰ নেজত ধৰি এটা মানুহ এজোপা গছৰ চাৰিওফালে ঘূৰিব লাগিছে। সি সেইখিনিতে তাৰ ঘোঁৰাটো ৰখাই ঘোঁৰাটোৰ পিঠিৰপৰা নামি বামুণক সুধিলে, "ককাই, তুমি গাহৰিটোৰ নেজত ধৰি তাক এইদৰে ঘূৰাই আছা কিয়?" বামুণে উত্তৰ দিলে, 'তোমাৰ কথাৰ উত্তৰ দিবৰ মোৰ আজৰি নাই। তুমি জানো দেখা নাই সেই টকাবোৰ?" সি কলে, "দেখিছোঁ।" বামুণে কলে, "গাহৰিটো এইদৰে ঘূৰাই থাকিলে পাকেপতি ৰূপ নাদি দিয়ে, সেইদেখি ঘূৰাইছোঁ।" মিঠৈৰ দোকানীয়ে এই কথা শুনি ভাবিলে—আজি মোৰ অনেক টকা লোকচান হৈছে, যদি এইদৰে এগাল টকা ঘটি লব পাৰোঁ তেন্তে ভালেই হয়। ইয়াকে ভাবি সি বামুণক কলে, "ককাই, মোকো পাকচেৰেক ঘূৰাবলৈ দিবা নে? মইও বৰ বিপদত পৰিছোঁ। মোকো যদি পাকচেৰেক গাহৰিটো ঘূৰাই টকাচেৰেক ৰূপ ঘটিবলৈ দিয়া, বৰ উপকাৰ হয়। এটা জুৱাচোৰে মোক আজি ঢকৈ ঠগি মোৰ বহুত টকা চুৰ কৰি নিলে।" তাৰ কথা শুনি বামুণে কলে, "তুমি বিপদীয়া পথিক, তোমাক উপকাৰ কৰিলে মোৰ পুইণ হব। বাৰু ঘূৰুৱা।" এই বুলি সি ঘূৰি থাকোতেই গাহৰিৰ নেজডালত মিঠৈৰ দোকানীক ধৰিবলৈ কৈ, দোকানীয়ে ধৰিলত, সাউতকৰে নিজে এৰি দি লৰালৰিকৈ ৰূপবোৰ গোটাই লৈ দোকানীৰ ঘোঁৰাটোৰ পিঠিত উঠি চাপলি মেলি গুচি গল আৰু দোকানীয়ে গাহৰিৰ নেজডাল এৰিব নোৱাৰি ঘূৰি থাকিবলৈ ধৰিলে, কাৰণ নেজডাল এৰি দিলেই গাহৰিয়ে তাক মাৰি পেলাব।

বামুণ ঘোৰাত উঠি ভালেমান বাট গৈ গধূলি এঘৰত আলহী হ'লগৈ। ৰাতি সি তাতে খাই বৈ শুই থাকি ৰাতিপুৱাৰ আগতেই তাৰ ঘোঁৰাটো ঘ'ত বান্ধি থৈছিল তাত ঘোঁৰাটোৰ মুখৰ আগৰ ঘাঁহবোৰৰ ভিতৰত ৰূপ দহ টকা সুমাই থৈ গুচি আহি আকৌ শুই থাকিলহি। ৰাতি ভালকৈ পুৱালত গৃহস্থ শুই উঠিল। আলহী বামুণেও উঠি লৰালৰিকৈ গৃহস্থক দেখুৱাই ঘোঁৰাটোৰ মুখৰ আগৰ ঘাঁহবোৰ জোকাৰি ৰূপ দহ টকা উলিয়ালে। গৃহস্থই দেখি আচৰিত মানি, কি কথা, কি ব্যৱস্থা তাক সুধিলত সি কলে, "এই ঘোঁৰাটোৱে খাবলৈ বাকী থকা ঘাঁহবোৰৰপৰা দিনৌ ৰাতিপুৱা মই দহ টকাকৈ ৰূপ পাওঁ; আৰু তাৰেই মই প্ৰতিপালিত হওঁ।" বামুণৰ কথা শুনি গৃহস্থৰ লোভ লাগিল। সি ঘোঁৰাটো বামুণৰপৰা কিনি লবলৈ বৰকৈ খট্‌খাদ্ধকৈ ধৰিলে। দৰ-দস্তৰ কৰি সি ছশ টকা ৰূপত বামুণৰ পৰা ঘোঁৰাটো কিনি লবলৈ ওলাল। বামুণে প্ৰথমতে নিদিওঁ নথওঁকৈ শেহত কলে, "বাৰু আৰু আঢ়ৈকুৰি অৰ্থাৎ ৬৫০ টকা দিয়া আৰু মই ঘৰলৈ যাবলৈ তোমাৰ ঘোঁৰাটো দিয়া। দি, তুমি নেৰা যেতিয়া মোৰ ঘোঁৰাটো লোৱা।" গৃহস্থই তাতে মান্তি হৈ ৬৫০ টকা আৰু নিজৰ ঘোঁৰাটো বামুণক দি বামুণৰ ঘোঁৰাটো ললে আৰু বামুণে লৰালৰিকৈ টোপোলা বান্ধি ৰূপগাল লৈ গৃহস্থই দিয়া সেই ন ঘোঁৰাটোত উঠি গুচি আহিল। আগেয়ে যি বাটেদি বামুণ গৈছিল সেই বাটেদিয়েই উভতি আহোঁতে সি সেই গছৰ তলত মিথৈৰ দোকানীয়ে তেতিয়ালৈ সেই গাহৰিটোৰ নেজত ধৰি ঘূৰি থকা দেখিলে বামুণক দেখি মিঠৈৰ দোকানীয়ে মাত লগালে,—"মোক ভাল ঠগি গলা; ৰূপও নাই অথচ গাহৰিটোৰ নেজত ধৰি ঘূৰি ঘূৰি লবেজান হলোঁ।" বামুণে উত্তৰ দিলে, "ককাই তুমি মই তোমাক ঠগোৱা নাই, তুমি মোৰ কথা শুনি যদি লেখি লেখি এশ পাক গাহৰিটোক ঘূৰোৱা, তেন্তে দেখিবা নিশ্চয় ১০০ টকা ৰূপ পাবা।" বামুণে দেখিছিল যে গাহৰিটো ঘূৰি ঘূৰি লাহে লাহে দুৰ্বল হৈ আহিছে আৰু এশ পাক ঘূৰিলেই সি পৰি মৰিব; সেইদেখি সি সেই কথা কৈছিল। বামুণে এইদৰে মিঠৈৰ দোকানীক কৈ ঘোঁৰা চেকুৰাই গুচি গল। দোকানীয়ে অলপ উৎসাহ পাই ঘূৰাই থাকোঁতে অলপৰ পিচতে গাহৰিটো পৰি মৰি থাকিল। তাৰ পিচত দোকানীয়ে ৰক্ষা পৰিলোঁ, বুলি ভাবি তাৰ ঘৰলৈ উভতি গুচি আহিল। বামুণে ঘৰ পাই বামুণীৰ হাতত টকাবোৰ পেলাই দি কলে, "নে এইবোৰ ৰূপ।" ৰূপবোৰ দেখি বামুণীৰ মহা আনন্দ মিলিল।

আধিনী তিৰোতা

সত্যযুগত দুটি বুঢ়া-বুঢ়ী আছিল। সিহঁতৰ সাতোটি পো। সাতোটা পোলৈ সাতজনী বোৱাৰী আনিলে। সৰুজনীৰ নাম এটি হ'ল। সেই সাতজনীৰ

ভিতৰত নিচেই নুমলীয়াজনী ঘৰ লখিমী তিৰোতা আছিল। বুঢ়া-বুঢ়ীৰ মৃত্যুৰ ওচৰ চাপিল। বুঢ়া-বুঢ়ীয়ে সিহঁতে সকলোটিকে নিচেই সৰুজনী বোৱাৰীয়েকৰ কথামতে চলিবলৈ হুকুম দিলে। ইয়াৰ পিচত সেইমতেই সিহঁত চলিবলৈ ধৰিলে। নুমলীয়া বোৱাৰীয়েকে সিহঁতক শুদা হাতে কোনো ফালৰ পৰা অহা দেখিলে খং কৰে; সেইদেখি সিহঁতে উপায় নাপাই দিনৌ যি পায় তাকে হাতত লৈ আহে। এদিন এজনে বাটতে এটা পেলা সাপ পালে; পাই ভাবিলে, বোৱাৰীয়ে সদায় শুদা হাতে গলে খং কৰে, আজি এই সাপটোকে লৈ যাওঁচোন বাৰু কি হয় দেখোঁ। ইয়াকে ভাবি সি সাপটো লৈ গৈ আগচোতালৰ জেওৰাতে থৈ বোৱাৰীয়েকক কলে, "ইয়াতে কিবা বস্তু এটা আছে নিবি, মই গা ধুই আহোঁ।" বোৱাৰীয়েকে ওলাই গৈ দেখে যে পেলা সাপটো পৰি আছে আৰু তাতে ঘৰ মাখিয়ে পৰি কণী দিছে। তাকে দেখি তাই ভিতৰলৈ সোমাই গৈ ৰৰজনাকক কলে, "পেলা সাপটো আনি মোক দেখুৱাইছে। বাৰু একো কথা নাই।" এই বুলি তাই আকৌ ওলাই দেখেহি, সাপটো থোৱা ঠাইতে এটা টোপোলা ওলমি আছে আৰু টোপোলাটো ফাটি সোণৰ খুৰীয়া, বাখৰুৱা মণি, আঙঠি, চিপাট, গল-পতা আদি কৰি কিছুমান অলঙ্কাৰ ওলাই পৰিছে। তাই লৰ মাৰি গৈ টোপোলাটো দাঙি লৈ ভিতৰলৈ লৈ আহি ৰৰজনাকক কলে। "চাওকচোন বাৰু, আপুনি সাপটো আনিছিল মোৰ ওপৰত খং কৰি, কিন্তু এতিয়া তাৰ ঠাইত এই অলঙ্কাৰবোৰ ক'ৰপৰা ওলাল? মই আপোনালোকক শুদাহাতে ঘৰলৈ আহিবলৈ হাক দিলে আপোনালোকে মোক বেয়া হে পায়; এতিয়া চাওক।" নৈৰ ঘাটত এজনী জীয়াৰী ছোৱালীয়ে গা ধুবলৈ যাওঁতে পাৰতে তাইৰ অলঙ্কাৰবোৰ টোপোলা বান্ধি থৈ পানীত নামোতেই চিলাই থাপ মাৰি আনিছিল, কিন্তু তাত খোৱা বস্তু একো নাপাই, চিলাই সাপটো দেখি টোপোলাটো পেলাই তাকে নিলে।

ইয়াৰ পিচত এদিন সৰু-মাজু ৰৰজনাকে শুকান গোবৰ খুটিৰ টোপোলা এটা বান্ধি লৈ আহি তাক চালৰ পাচত্তে খোচা মাৰি থৈ বোৱাৰীয়েকক কলে, "ইয়াতে বস্তু এটা আছে নি থবি।" তাই মেলি চাই দেখিলে গোবৰ খুটি ডোখৰ। বাৰু ইয়াকে চুলাৰ কোপত ভৰাই থওঁ বুলি তাই ভৰাই থৈ দিলে। প্ৰায় পাঁচ বছৰ মানৰ মূৰত এজন ৰজাই জীয়েকৰ নবিয়াত দৰবৰ নিমিত্তে পাঁচ বছৰীয়া শুকান গোবৰ বিচাৰ কৰিলে। কিন্তু কতো নাপাই কলে বোলে "যেয়ে মোক এনে গোবৰ দিব তাক সোণ ৰূপ দুচরু দিম।" এই কথা নগৰত ঢোল পিটি ভৱাই দিলে, অকস্মাৎ বুঢ়ীৰ মনত পৰিল—সেই গোবৰ খুটি ডোখৰৰ কথা। মনত পৰি তাই তাক ৰজালৈ পঠিয়াই দিলত ৰজাই তাইক দুচৰু সোণ-ৰূপ দিলে।

এদিন নুমলীয়া বোৱাৰীয়েকক এটা মগনিয়াৰ ফকীৰে মন্ত্ৰ কৰি পলুৱাই নিলে। তাৰ পিচত সেই ঘৰৰ মানুহবোৰ মৰি-হাজি চুকাল; গৰু, ম'হ, হাতী, ছাগলী ছেৰাই মৰি নিপাত হবলৈ ধৰিলে। একমাত্ৰ ৰৰজনাৰ ল'ৰাটি ঘৰত ৰ'লগৈ। সিও শেহত তৰিব নোৱাৰি দেশে দেশে ফুৰি ফুৰি এখন অৰণ্যৰ মাজত নৈৰ ঘাটত খুৰীয়েকক লগ পালে। সিহঁতৰ দেখা-দেখি হোৱা মাত্ৰকতে চিনাচিনি হল। ভতিজাকে কলে বোলে, "ঘৰ দুৱাৰৰ কথা কবলৈ গঁচ নাইকিয়া হল, মই হে আছোঁ।" তাই কান্দিকাটি কলে, বোলে, "মোক ফকীৰে নেৰে, পলাই গলেও মাৰিব; সি বৰ মন্ত্ৰ জানে। মই ফকীৰে কোৱা শুনিছোঁ, বোলে ফকীৰৰ জীৱটো ব্ৰহ্মাৰ ওচৰত থকা শালিকা চৰাইজনীৰ গাত আছে; যদি চৰাই জনী মাৰিব পাৰে তেন্তে মই যাব পাৰোঁ।" এই কথা শুনি ভতিজাকে ব্ৰহ্মাৰ ওচৰত কান্দিকাটি প্ৰাৰ্থনা কৰিলত ব্ৰহ্মাই বৰ সন্তোষ পাই তালৈ জীয়েকক বিয়া দিলে। উছৰ্গাত সি অনেক বস্তু পালে। পিচত সি কলে বোলে—"মোক শালিকাটিও দিয়ক।" সি সেই বুলি কলত ব্ৰহ্মাই তাক শালিকাটিও দিলে। সি শালিকাটি পাই একে টিপাই মাৰিলত ফকীৰ য'তে আছিল ত'তে মৰিল। তেতিয়া খুৰীয়েকে জানিলে যে শালিকা মৰিল। ইয়াৰ পিচত সি ব্ৰহ্মাৰ জীয়েক আৰু তাৰ খুৰীয়েকে তিনিও গোট খাই এখন ঘৰ পাতিলে আৰু ব্ৰহ্মাৰ আশীৰ্ব্বাদ পাই অলপ দিনৰ ভিতৰতে আগৰ দৰে ঘৰ-বাৰী, মানুহ-দুনুহ, বই-বস্তুৰে সৈতে চহকী হ'ল।

দুই বেপাৰী

এদিন এটা গুজলীয়া ডেকাই এভাৰ কেতুৰি খানি হাটলৈ নি এদা বুলি বেচিবলৈ যুগুত পাতিলে; আৰু সেইদৰে সেই দিনাই আন এঠাইৰ আন এটা চেঙেলীয়া ডেকাইও এভাৰ ভোমলতিৰ গুটি পাৰি লৈ আলুক বুলি হাটত বেচিবলৈ কাৰবাৰ কৰি হাটকৰা হৈ যাবলৈ ধৰিলে। আলুকৰ বেপাৰী আৰু এদাৰ বেপাৰী দুয়োৰো বাটত ভেটাভেটি হল। কোনে কি বেচিবলৈ লৈ গৈছে বুলি দুয়ো সোধাসুধি কৰি জানিব পাৰি আলুকৰ বেপাৰীয়ে এদাৰ বেপাৰীক কলে, "এ ককাই, মোৰ বাৰীত এইবাৰ আলুকেই উপচি হল। আজি এই ভাৰ লৈ আহিছোঁ, আৰু-

মূলীয়াকৈ পালে দি গুচি যাম , কোনেনো দুপৰলৈকে খাপ লৈ থাকিব দেওছে ।" তাৰ কথা শুনি এদাৰ বেপাৰীয়ে ভাবিলে—ইয়াক মোৰ কেতুৰি ভাৰ দি ইয়াৰ জালুক ভাৰ লৈ যাব পাৰিলে ভাল হয় । তাকে ভাবি সি মাত লগালে—"এৰা ভাই, মোৰো সেয়ে কথা , মোৰ বাৰীতো এইবাৰ এদা উভৈনদীকৈ হৈছিল । মযো সেইদেখি এইভাৰ লৈ আহিছোঁ, লৰালৰিকৈ বেচি গুচি যাব পাৰিলে ৰক্ষা পাওঁ । বেলি দুপৰলৈকে ৰহি থকাতকৈ মইও পাৰিলে আধামূলীয়াকৈ এদা ভাৰ দি গুচি যাম বুলি ভাবিছোঁ । তাৰ কথা শুনি জালুক বেপাৰীয়ে ভাবিলে, মোৰ ভোমলাতিৰ গুটি ভাৰ ইয়াক দি ইয়াৰ পৰা এদা ভাৰ লৈ যাব পাৰিলেও বেয়া নহয় । ইয়াকে ভাবি সি মাত লগালে—'মোৰ ঘৰতো এদা নাই, চপৰাচেৰেক মযো নিব লাগিব হে ।" তাৰ কথা শুনি এদাৰ বেপাৰীয়ে কলে—"মোৰ ঘৰতো জালুক নাই, সেৰচেৰেক মইও নিম বুলি ভাবিছোঁ ।' দুইও এইদৰে কথা হোৱাৰ পিচত জালুকৰ বেপাৰীয়ে কলে—'ককাই, তুমি যদি এদাভাৰ আধামূলীয়াকৈ দিবলৈ ওলাইছা, মইও মোৰ জালুকভাৰ আধামূলীযাকৈ দিম বুলি ভাবিছোঁ, তেন্তে আমিনো দুয়ো পোনেই সলাই নথওঁ কিয় ?" এদা বেপাৰীযে এই কথা শুনি ৰং পাই কলে--"বেচ কথা আহাঁ, আমি তাকে কৰোঁ ।' এই বুলি এদাৰ বেপাৰীয়ে জালুকভাৰ আৰু জালুকৰ বেপাৰীয়ে এদাভাৰ লৈ দুফালে গুচি গৈ, অলপ আঁতৰ হৈ দুযো দুযোকো নেদেখা হলতে দুয়ো ফিৰিঙতি ভগাদি ভাগিল ।

দুয়ো দুইকো ঠগিলোঁ বুলি ভাবি মনে মনে ৰং পাই ঘৰ পাই দুয়ো নিজৰ নিজৰ ভাৰ মেলি চাই দেখিলে যে, দুয়ো সমান, কোনেও কাকো বলে নোৱাৰিলে । এই ঘটনাৰ ভালেমান দিনৰ পিচত এদিন দৈৱাৎ আকৌ সেই হাটতে দুয়োৰো দেখা হলত জালুকভাৰৰ গৰাকীটোৱে কেতুৰিভাৰৰ গৰাকীটোক সুধিলে, "হেৰা ককাই, সেই দিনা জালুকভাৰ কেনে পালা ?" কেতুৰিৰ গৰাকীয়ে কলে, "এদাভাৰ যেনে পালা তেনেকুৱাই ।" এইদৰে কথা-বাৰ্তা পাতি দুয়ো দুইকো শলাগি কলে, "আমি দুয়ো যোৰ হৈছোহঁক , আহাঁ আমি দুয়ো সখি বান্ধোহঁক ।" এই বুলি দুয়ো সখি বন্ধাই লগ লাগি লোকক ঠগাই ধন ঘটিবৰ মনেৰে এঠাইলৈ ওলাই গ'ল । দুয়ো গৈ এঘৰ বামুণৰ ঘৰ পালেগৈ । সিহঁতে বামুণক "আমি কাম-কাজ বিচাৰি ফুৰিছোঁ" বুলি ক'লত, বামুণে সিহঁতক নিজৰ ঘৰতে বনুৱা কৰি ৰাখিলে । জালুকৰ বেপাৰীক বামুণে তেওঁৰ কপিলী গাইজনী ৰাখিবলৈ দিলে আৰু এদাৰ বেপাৰীক তুলসীজোপাৰ গুৰিত পানী দিবলৈ লগালে । বামুণৰ কপিলী গাইজনী বৰ দুষ্ট আৰু চুৰুণী ; তাইক জালুক বেপাৰীয়ে এখন্তেকো এৰি দিব নোৱাৰে । দিলেই তাই লৰি গৈ লোকৰ বাৰীত সোমাই শাক-পাত, ধান-চাউল খাই আধ্যা কৰে । তুলসীজোপাও এনে আচহুৱা যে তাৰ গুৰিত যিমানেই পানী দিয়া যায় সেই পানী থিতাতে নাইকিয়া হয় । সিটোৱে গৰু ৰখি ইটোৱে তুলসীগছত গুৰিত পানী দি হাইৰাণ , দুয়ো ওৰে দিনটো সেই কাম দুটা কৰি স্থিতিকে নোপোৱা হল । সেই দেখি দুযো পেটে পেটে ভাবিলে যে সিহঁতৰ বন দুটা সালসলনি কৰি দুয়ো দুইকো ঠগিব । ইয়াকে ভাবি এদিন গৰখীয়াই পানী আনি দিওঁতাক সুধিলে —'সখি, তোমাৰ কামটো কেনে ? মই হলে মোৰটো বৰ সুখৰ পাইছোঁ । গৰুজনী হাবিলৈ খেদি দিওঁ আৰু মই ফস্তি মাৰি ওৰে দিনটো গছৰ তলত শুই থাকোঁ । গধূলি হলেই গাইজনী খেদি আনি গোহালিত বান্ধি থৈ দিওঁ ।" তাৰ কথা শুনি পানী দিওঁতাই কলে, "মোৰটো কাম একোৱেই নহয় বুলিব লাগে , দিনটোৰ ভিতৰত এঘটি বা দুঘটি পানী আনি তুলসীৰ গুৰিত দিওঁ আৰু তাৰ পিচত দিনৰ দিনটো শোৱা বহা যেই কৰা সেই ।" দুয়োৰো কথা দুযো শুনি গৰখীয়াই পানী দিওঁতাৰ কাম আৰু পানী দিওঁতাই গৰখীয়াৰ কাম কৰি চাবলৈ মন কৰি পিছদিনা দুয়ো সালসলনি কৰি ললে । গধুলি দুয়োৰে দেখা হলত, গৰখীয়াই পানী দিওঁতাক সুধিলে—"সখি কাম কেনে পালা ?" পানী দিওঁতাই উত্তৰ দিলে—"তুমি যেনে পালা ।" ইয়াৰ পিচত দুয়ো দুয়োকো শলাগি কলে, যে এই তুলসীজোপাৰ গুৰিত ইমানবোৰ পানী দিয়া যায় সেই পানীবোৰ থিতাতে কলৈ গুচি যায় চাব লাগিল । ইয়াকে দুইয়ো পাণ্ডি, ৰাতি বামুণ শুলত, কোৰ এখন আনি তুলসীজোপা খানি তুলি চাই দেখিলে যে তাৰ তলতে পাঁচহাতমান দ এটা ডাঙৰ গাঁত আছে । জালুক বেপাৰীক এদা বেপাৰীয়ে কলে, "সখি, তুমি নামি চোৱাগৈ গাঁতটোত কি আছে ?" জালুক-বেপাৰী নামি গৈ দেখিলে যে গাঁতটোৰ তলিত কেবাকহলহো ৰূপ আছে । সি লৰালৰিকৈ গাঁতৰপৰা উঠি আহি সেই কথা ইটোক ক'লত, দুয়ো তেতিয়াই সিহঁতৰ গাৰ ঘৰকাপোৰ দুখনৰ দুটা ডাঙৰ মোনা সিলে । এদাৰ বেপাৰীয়ে জালুকৰ বেপাৰীক কলে, "সখি, তুমি এটা মোনা লৈ গাঁতলৈ নামি যোৱা আৰু সেই মোনাত এমোনা ৰূপ ভৰাই গাঁতৰ ওপৰলৈ তুলি দিবা । তাৰ পিচত ইটো মোনাও মই পেলাই দিম, আকৌ তাত তুমি ৰূপ ভৰাই তুলি দিবা ।" এইদৰে আলচি জালুক-বেপাৰীয়ে এমোনা ৰূপ গাঁতৰ তলিৰ পৰা ওপৰলৈ দিলত, এদা বেপাৰীয়ে সেইটো তুলি লৈ সিটো মোনা গাঁতৰ ভিতৰত পেলাই দিলে ।

জালুক-বেপাৰীয়ে -ভাবিলে যদি এই সোনাটোও সি তুলি অকলৈ ৰূপবোৰ লকৰ মনেৰে মই গাঁতিবপৰা উঠাৰ আগেয়ে লৰালৰিকৈ সি মাটি দি মোক পুতি পেলায়, তেন্তে কথাৰ ওৰেই পৰিব। সেই দেখি জালুক বেপাৰীয়ে বুধি কৰি পিছৰ সোনাটোত অলপ ৰূপ ভৰাই তাতে নিজেই সোমাই, সখিয়েকক মাত লগালে--"সখি, এই সোনাটো তুমি টানি তোলা, বৰ গধুৰ হৈছে, মই অকলৈ নোৱাৰিম।" এই কথা শুনিয়েই এদাৰ-বেপাৰীয়ে সেই সোনাটোও টানি তুলিলে আৰু জালুক বেপাৰীয়ে ভৰা কথাকে থিতাতে কৰিলে। গাঁতত জালুক বেপাৰীক পুতি থবৰ মনেৰে সি ধুমধামকৈ গাঁতৰ পাৰৰ মাটি গাঁতত পেলাই দি, তাক গাঁতত পুতিলোঁ বুলি ভাবি ভাৰ কৰি সোনা দুটা লৈ নিজৰ ঘৰমুৱা হৈ গুচি গল। ভাৰখন বৰ গধুৰ। সেইদেখি সি অলপ জিৰাবৰ মনেৰে বাটৰ এঠাইত এজোপা গছৰ তলতে ভাৰখন থৈ বহিল। বৰ দুখ কৰা বাবে তাৰ পিয়াহো লাগিল, সেইদেখি সি ভাৰখন তাতে এৰি বাটৰ কাষৰে পুখুৰী এটাত পানী খাবলৈ নামিল। সি যেই পুখুৰীত নামিল, ইফালে সোনাৰ ভিতৰৰপৰা সখিয়েক লাহেকৈ ওলাই ভাৰখন লৈ সাউতকৰে পলাল। সি পানী খাই উভতি আহি দেখে যে ভাৰখন নাই। তেতিয়াহে সি বুজিলে যে তাৰ সখিয়েকে বুধিৰে ছলিলে। "মই বুজিবই নোৱাৰিলোঁ যে কটাৰ পো সোনাতে সোমাই মোৰ কান্ধত উঠি আহিছিল।" এই বুলি ইস্ ইস্ আস্ আস্ কৈ বেজাৰ কৰি সি নিজৰ ঘৰ পালেগৈ।

বহুত দিনৰ মূৰত আকৌ এদিন দুই সখিয়েকৰ দেখাদেখি হলত জালুক বেপাৰীয়ে কলে, "সখি, তুমি মোক ভাল গাঁততে পুতি থৈ আহিছিলা ?" ইটোৱে উত্তৰ দিলে, "যোৱাহে, তুমি ৰূপগালো নিলা, মোৰ কান্ধতো উঠি আহিলা।" এইদৰে দুয়ো আলাপ কৰি আকৌ কৰেকতে মহামিত্ৰ হৈ পৰিল। এদা বেপাৰীটোৰ কিন্তু মনৰপৰা বেজাৰ নগল যে জালুক-বেপাৰী তাৰ কান্ধত উঠিল। ইয়াৰ কিছুদিনৰ পিচত এদা-বেপাৰীয়ে এদিন বুদ্ধি এটা সাজি তাৰ ঘৈণীয়েকক কলে যে "মই শোৱা-পাটীতে শুই থাকোঁ, তই মোৰ মূৰে-গায়ে কাপোৰ এখন দি মোক ঢাকি দি মই মৰিলোঁ বুলি বহি বহি কান্দ। আৰু এটা মানুহ নকম্বাই সখিৰ ওচৰলৈ পঠিয়াই খবৰ দে যে মই মৰিলোঁ। সি যেতিয়া আহি পাবহি তেতিয়া তাক কবি, মৰিবৰ সময়ত মই তোক বিশেষকৈ কৈ গৈছোঁ যে মোক যেন আনে নুচুই কেৱল মোৰ মৰমৰ সখিয়েহে ছোৱে আৰু [illegible] হে কান্ধত তুলি পুৰিবলৈ লৈ যায়।" তাৰ ঘৈণীয়েকে সেই মতেই সকলো কৰিলত, জালুক বেপাৰী সখিয়েকে সকলো শুনি কথাটো ফাঁকি বুলি বুজিলে আৰু মিছাকৈ কান্দি চকুপানী উলিয়াই সখিয়েকৰ ঘৈণীয়েকক কলে, "মোৰ সখিয়েই যেতিয়া গল, আমাৰ সকলো শূন্য হল। এই ঘৰ, এই বাৰী, এইবোৰ কোনে খাব, কেলৈ লাগিছে ? সেইবোৰ দেখিলে সখিলৈ মনত পৰি ধকধককৈ আমাৰ বুকুত জুই হে জলিব।" এই বুলি সি মিছাকৈয়ে বুকুত ভুকুৱাই কান্দিকাটি দাখন লৈ গৈ বাৰীত সোমাই জালুক, পাণ, টেঙা আদি লাগতিয়াল গছবোৰ ঘপ্ ঘপ্ কৰে কাটি খাণ্ডাং কৰিলে। তাৰ পিচত মৰা সখিয়েকৰ ওচৰলৈ আহি তাৰ ঘৈণী-য়েকক কলে, "মই অকলৈ মোৰ সখিক বলে নোৱাৰিম, সেইদেখি দোছোৱাকৈ কাটি এছোৱা-এছোৱাকৈ দুবাৰে মৰাশালিলৈ লৈ যাওঁ।" এই বুলি সি মিছা-মিছিকৈ সি টোৱাই-ভিৰাই দাখন জোকাৰি কোৰ মাৰিব খোজোতেই, ভয়ত এদাৰ-বেপাৰী একেচাৰেই উঠি বহিল। তেতিয়া দুয়ো হাঁহিবলৈ ধৰিলে। এদাৰ-বেপাৰীয়ে কলে, "সখি, হৈছে আৰু নালাগে। মই তোমাৰ কান্ধত উঠিব নোৱাৰিলোঁ। লাভৰ ভিতৰত মোৰ বাৰীৰ গছ-গছনিবোৰ গল, মোতকৈ তোমাৰ বুধি বেছি।"

কাঞ্চনী

এক বুঢ়াৰ সাতোটা পুতেক আছিল। বুঢ়াই পুতেকহঁতৰ সুখ-সন্তোষ দেখিবলৈ নাপালে। পুতেক আটাই কেইটাই খাব-খুটিব পৰা হোৱাৰ আগেয়ে বুঢ়া মৰি গল। বুঢ়ীয়ে ছয়োটালৈ ছোৱালী বিয়া কৰাই আনি অলপমান সুখ-সন্তোষৰ মুখ দেখিছিল কিন্তু তেনেতে তায়ো মৰিল। মাক মৰাৰ পিচত ককায়েকহঁত সাতোওটা মিলা-প্ৰীতিৰে একেলগে আছিল। সিহঁতৰ ভিতৰত নুমলীয়াটো ল'ৰা দেখি-বলৈ বৰ মোহ লগা আৰু কথায়-বাৰ্তায়ো ভাল আছিল, সেইদেখি ছয়োটা ককায়েকে তাক বৰ মৰম কৰিছিল। ককায়েকহঁতে নিজৰ নিজৰ ঘৈণীয়েক-হঁতক সিহঁতৰ ধন-বস্তৰ গৰাকিনী নাপাতি চতুৰ নুমলীয়া ভায়েকক হে গৰাকী পাতিছিল, সেইদেখি বোৱেকহঁতে পেটে পেটে তাক সমূলি দেখিব নোৱাৰা হৈছিল। নুমলীয়া দেওৰেকে কোনো বস্তু উলিয়াই দিদিলে বোৱেকহঁতে কুটা এগছকো নাপাইছিল আৰু কাকো একো দিব নোৱাৰিছিল। যদিও বোৱেকহঁতে তাক সমূলি দেখিব নোৱাৰিছিল, তথাপি সিবিয়েকহঁতৰ ভয়ত কেতিয়াও কোনো কথাতে সিহঁতে তাক হেচটেপ কৰিব নোৱাৰিছিল।

এইদৰে কিছুকাল যোৱাৰ পিছত, এদিন মাগনী বুঢ়ী এজনী সিহঁতৰ ঘৰলৈ চাউল মাগিবলৈ আহিছিল। নুমলীয়া দেওৰেক সেই সময়ত ঘৰত নথকা বাবে বৌৱেকহঁতে মাগনী বুঢ়ীক চাউল এমুঠি দিব নোৱাৰি তাইক কলে, "বুঢ়া বাই, আমাৰ দেওৰ কণ-বোপা কৰবালৈ ওলাই গৈছে, তেওঁ নাহিলে তোক চাউল কোনে উলিয়াই দিব? আমি দিব নোৱাৰোঁ। তেওঁ হে সকলো বস্তুৰ গৰাকী।" বুঢ়ীয়ে এই কথা শুনি সিহঁতক কলে, "আইবে আই। এইটো নো কি কথা? তহঁত ছজনী বোৱাৰী ঘৰত আছ, তহঁত ঘৰৰ বৈণী নহৈ মতা লৰাটো হে ধন-বস্তুৰ গৰাকী হল। এনে কথা দেখা শুনা নাইহে।" সিহঁতে বুঢ়ীক কলে, "এৰা বাই, তই নেদেখিলে নুশুনিলেও, আমি কুটা এগছো গৰাকী নহওঁহঁক, কি কৰিবি। ককায়েকহঁতে সৰু বোপাকহে গৰাকী পাতিছে।" বুঢ়ীয়ে সিহঁতৰ মন বুজি কলে, "তহঁত নো ক'ৰ আধলী তিৰোতা ঐ? তাক গৰাকী ভাঙি তহঁত গৰাকিনী নহৱ কিয়?" সিহঁতে কলে, "কেনেকৈ ভাঙিব বুঢ়ী বাই?" বুঢ়ীয়ে কলে, "মোৰ বুধি শুন যদি আজিয়েই ভাঙিব পাৰ।" সিহঁতে বুঢ়ীৰ কথা শুনি বৰ আগ্ৰহেৰে বুঢ়ীৰ ওচৰ চাপি আহি বুঢ়ীক বুধি সুধিলত বুঢ়ীয়ে উঠি গৈ এটা কোটুকোৱা কাঁইট আনি মন্ত্ৰ মাতি জাৰি কাঁইটটো সিহঁতৰ হাতত দি কলে, "আজি তহঁতৰ দেওৰ উভতি আহিলে, তহঁতৰ এজনীয়ে তাক ওচৰলৈ মাতি আনি তাৰ ওকণী চাওঁ বুলি বহুৱাই লৈ ওকণী চাই থাকোঁতে খপ্‌কৰে এই কাঁইটটো তাৰ কাণৰ সঁতাত মাৰি দি কুকুৰ হৈ যা বুলি কলেই সি কুকুৰ হৈ গুচি যাব আৰু তহঁত ঘৰৰ বৈণী হৈ ধন-বস্তুৰ গৰাকিনী হৈ সুখে-সন্তোষে থাকিব পাৰিবি।" ইয়াকে কৈ বুঢ়ী গুচি গল। সিহঁতৰ নুমলীয়া দেওৰেক আহিলত সিহঁতে বুঢ়ীৰ বুধিমতে তাক ওকণী চাবলৈ বহুৱাই লৈ তাৰ কাণৰ সঁতাত কাঁইটো মাৰি দি তাক কুকুৰ কৰিলে। সি এটা ভতুৱা কুকুৰ হৈ মনৰ দুখত ঘৰৰপৰা ভেতিয়াই ওলাই গুচি গ'ল। গধূলি ককায়েকহঁতে আহি ভায়েকক নেদেখি, "কণবোপা কলৈ গ'ল?" বুলি বৈণীয়েকহঁতক সুধিলত "আমি কব নোৱাৰোঁ।" বুলি সিহঁতে উত্তৰ দিলে। ইয়াৰ পিচত ককায়েকহঁতে ভায়েকক অনেক বিচাৰি কতো নাপাই বেজাৰ অসন্তোষ কৰি থাকিল।

নুমলীয়া ভায়েকটো কুকুৰ হৈ অনেক দেশ ঘূৰি ঘূৰি শেহত এখন নগৰত ওলালগৈ। সেই নগৰতে এঘৰ মানুহ আছিল; সিহঁতৰ ল'ৰা-ছোৱালী, মিতিৰ-কুটুম্ব কোনো নাছিল। মাথোন গিৰিয়েক আৰু বৈণীয়েক। গিৰিয়েকে দিনৌ খাই বৈ কাম-কাজ বিচাৰি ওলাই যায় আৰু বৈণীয়েকে অকলৈ তাঁত-সূত বৈ ঘৰৰ বন-বাবী কৰি থাকে। কুকুৰটো গৈ সিহঁতৰ ঘৰতে চাপিল। কৰবাৰপৰা কুকুৰটো ঘৰ চপা দেখি পো-পোৱালি নাইকিয়া গিৰিহঁতনীয়ে মৰমকৈ তাক এমুঠি পাতৰ ভাত খাবলৈ দিলে আৰু চেই চেই চুহ-চুহ নকৰি তাঁতশালতে পৰি থাকিবলৈ দিলে। সিও মৰম পাই তাতে থাকিবলৈ ধৰিলে।

গিৰিহঁতনীয়ে দিনৌ তাঁত বয় আৰু কুকুৰটো ওচৰতে পৰি থাকে। এদিন তাইৰ হাতৰ পৰা এবাৰ মাকোটো সৰি পৰিলত, তাই কুকুৰটোৰ ফালে চাই ধেমালিতে কলে, "তই মোৰ মাকোটো তুলি দিব নোৱাৰনে? অজাতবীয়া মাকোডাল ঘনে ঘনে মোৰ হাতৰপৰা পৰি যায়, মই নো কিমান চাপৰি আনি থাকিম? দে মোৰ মাকোটো তুলি মোৰ বোপাই; লাগে যদি, মোৰ ছোৱালী হলে মই তোলৈকে তাইক বিয়া দিম।" মানুহজনীৰ কথা শুনি কুকুৰটোৱে খপ্‌কৰে মাকোটো তুলি দিলে। মানুহজনীয়ে বিচুত্তি হৈ ভাবিলে, "আও! ই কম কুকুৰ নহয়। ই মানুহতকৈও গুণী। মোৰ কথাটো ই কেনেকৈ বুজিলে। মোৰ ছোৱালী নায়েই; হোৱা হলে এনেটো কুকুৰলৈকে বিয়া দিলেও একো হানি নাছিল।"

এই কথাৰ কেইমাহমান পিচত ঈশ্বৰৰ ইচ্ছাত মানুহজনীৰ ছোৱালী এজনী উপজিল। বাপেকে মৰম কৰি জীয়েকক নাম কাঞ্চনী ৰাখিলে। দিনক-দিনে ছোৱালীজনী ডাঙৰ হৈ আহিবলৈ ধৰিলে। তাই ৰূপে-গুণে তৰঙ্কাৰ হল। কুকুৰটোও নিজৰ গুণত দিনক-দিনে গিৰিহঁত-গৰিহঁতনীৰ বুকুত সোমাই আহিবলৈ ধৰিলে। কাঞ্চনীৰ বিয়া দিবৰ কাল পৰিলত, এদিন বৈণীয়েকে গিৰিয়েকক সেই মাকো পৰাৰ দিনৰ কথাটো কলে, "মোৰ ছোৱালী হলে, মই কুকুৰটোলৈ বিয়া দিম বুলি কৈছিলোঁ। সেইবাবেই হে মোৰ ছোৱালীজনীও হল কিজানি; নাইবা মোৰ পেটত ল'ৰা-ছোৱালীৰ হবৰ কোনো আগন্তুক নাছিল। এতেকে মই মোৰ কথামতে তালৈকে কাঞ্চনীক বিয়া দিম বুলি ভাবিলোঁ, তুমি কি বোলা?" গিৰিয়েক বৰ হোজা আৰু ধাৰ্ম্মিক মানুহ আছিল। সি উত্তৰ দিলে, "যদি তুমি তাৰ আগত তেনেকৈ কৈছিলা, তেনেহলে নিশ্চয় তোমাৰ কথা ৰাখিব লাগিব, নহলে আমাক পাপে চুব। আৰু সঁচাকৈ কবলৈ গলে, আমি এনেটো কুকুৰ আগেয়ে কতো দেখাও নাছিলো। সি মানুহতকৈ শাউ-হাব। এতেকে মোৰ মনেৰে আমাৰ কাঞ্চনীক তালৈ বিয়া দিয়াটো হে উচিত।" এই বুলি বাপেকে জীয়েকক মাতি আনি সেই কথা কওঁতে, জীয়েকে উত্তৰ দিলে,

"তোমালোকৰ ইচ্ছামতে চলাটোৱেই হে মোৰ কৰ্ত্তব্য। আয়ে কুকুৰলৈকে যেতিয়া মোক বিয়া দিবলৈ সইত কৰি বান্ধ খাইছে, সেই সইত ৰাখিমেই ৰাখিম।" জীয়েকৰ কথা শুনি মাক-বাপেকে সন্তোষ পাই তাইক কুকুৰলৈকে বিয়া দি দুয়োকো যতন কৰি ধুৱাই-বুৱাই ঘৰতে ৰাখিলে।

কাঞ্চনীয়ে বৰ যতনেৰে ধুৱাই-বুৱাই অতাই-পিতাই নিজৰ স্বামী বুলি কুকুৰটোক সেৱা-ভক্তি কৰিবলৈ ধৰিলে; এদিনলৈকে তাইৰ মনত বেজাৰ নালাগিছিল। ঘৈণীয়েকে কুকুৰটোৰ গা অঁতাই-পিতাই ধুই-পখালি চিকণ কৰি দিলেও, অলপ পৰ পিচতে কুকুৰটোৱে গৈ মাটি লৈ গাত ধূলি-মাকতি সানে। এদিন কাঞ্চনীৰ মাকে কাঞ্চনীক কলে, "আই চাচোন, তোৰ গিৰিয়েৰৰ গাটো ধূলি-মাকতি লাগি কেনে ক'লা হৈ পৰিছে। তাক লৈ যা নৈত ভালকৈ তাৰ গাটো ঘঁহি-পিহি ধুৱাই লৈ আহগৈ।" মাকৰ কথা শুনি কাঞ্চনীয়ে গিৰিয়েকক লৈ গৈ নৈত জুবুৰাই ভালকৈ তাৰ গা-ভৰি, মুৰ কাণ ঘঁহি দিওঁতেই এবাৰ তাইৰ হাতটো কুকুৰটোৰ কাণৰ সঁতাত লাগিলত, অলপ খহতা যেন পাই ভালকৈ চাই দেখিলে যে তাত এটা কাঁটই পোত খাই আছে। কাঁইটটো দেখি কাঞ্চনীয়ে আঙুৰি উলিয়ালত তৎক্ষণাৎ কুকুৰটো কুকুৰ গুচি কেঁচা সোণৰ বৰণৰ সুন্দৰ ডেকা-ল'ৰা এটা হ'ল। গিৰিয়েক কুকুৰ গুচি মানুহ হোৱা দেখি তাইৰ আনন্দৰ পাৰ নোহোৱা হল। তেতিয়া গিৰিয়েকে তাইক আগৰপৰা গুৰিলৈকে সকলো কথা ভাঙি কলত তাই তাক কলে, যে "মই যদি তোমাক এইদৰে আমাৰ ঘৰলৈ লৈ যাওঁ তেন্তে মোৰ বোপাই-আই আৰু ওচৰ-চুবুৰীয়া আন মানুহে ভাবিব মই কুকুৰটো মাৰি কৰবাৰ ডেকা ল'ৰা এটা লগ লগাই লৈ গৈছো বুল; তেতিয়াও বৰ বদনামৰ কথা হব; আৰু মই আচল কথা ভাঙি কলেও কোনেও বিশ্বাস নকৰে। সেইদেখি তোমাৰ কাণৰ সঁতাত আকৌ সেই কাঁইটটো মাৰি দিওঁ, দি তোমাক আগৰ দৰে কুকুৰ কৰি ঘৰলৈ লৈ যাওঁ। ঘৰ পাই সকলোৰে আগত তোমাৰ কাণত তেল-তুল দি চিকুণাই থাকোতে যেন হঠাৎ মই সেই কাঁইটটো তাত দেখি এইটো কি বুলি টানি উলিয়াই আনিম আৰু আনিলেই তুমি মানুহ হবা; আৰু তেতিয়া কোনেও একো কব নোৱাৰে।" ইয়াকে গিৰিয়েকক কৈ কাঞ্চনীয়ে আকৌ সেই কাঁইটডাল গিৰিয়েকৰ সঁতাত আগৰ দৰে মাৰি গিৰিয়েকক কুকুৰ কৰি ঘৰলৈ লৈ গুচি আহিল। ঘৰ পাই কাঞ্চনীয়ে মাকক কলে, "আই, আই মই তেওঁৰ ধুৱাই আনিছো। এতিয়া তেল এটোপা ঘঁহি দিয়কে?" মাকে কলত কাঞ্চনীয়ে তেল আনি ঘঁহাৰ মূলতে কুকুৰটোৰ কাণৰ কাঁটইডাল মাকক দেখুৱাই কলে, "আই, আই, চাহিচোন এটা বৰ কাঁইট কাণৰ সঁতাত কেনেকৈ সোমাই আছে।" মাকে কলে, "সোনাৰ পাৰেতো মোৰ আই, সি ব'তে পাই ভ'ত্তে শুই ফুৰে, কাঁইটটো টানি উলিয়াই দে।" মাকে এই বুলি কোৱাত কাঞ্চনীয়ে কাঁইটটো উলিয়াই দিলে আৰু ততালিকে সি কুকুৰ গুচি সুন্দৰ পুৰুষ এটা হ'ল। এই কথা দেখি মাক্-বাপেকে আৰু ওচৰ-চুবুৰীয়া সকলোবোৰে বিস্ময় মানি, তাক কি কথা কি বতৰা, বুলি সুধিলত সি সকলোবোৰ ভাঙি পাতি কলে। সকলোৱে আচৰিত মানি আনন্দ পালে; কাঞ্চনী আৰু তাইৰ মাক-বাপেকে আনন্দত বিভোল হৈ জোঁৱায়েকক লৈ মহা-সুখেৰে থাকিল।

কুকুৰ এটা গুচি মানুহ হল, এই কথা চাৰিও-ফালে ওলাই পৰিলত ৰজাই শুনিবলৈ পাই কাঞ্চনীৰ গিৰিয়েকক মতাই নি কি কথা, কি বাৰ্ত্তা বুলি সুধিলত, সি ৰজাক সকলো কথা কলে। ৰজাই সন্তোষ পাই তাক তেওঁৰ ঘোঁৰাশাল চাওঁতাৰ বিষয়খন দি ৰাখিলে।

ইকাণ সিকাণকৈ লাহে লাহে গৈ ৰজাৰ কাণত পৰিল গৈ যে ঘোঁৰাশাল চাওঁতা-চিতোঁতা বিষয়াজনৰ ঘৈণীয়েকজনী বৰ গুণী আৰু বৰ শুৱনী দীপ্লিপ্ তিৰোতা। ৰজাই ভাবিলে যে এনেজনী তিৰোতা ৰজাৰ হে যোগ্য, এতেকে তাইক আনি মোৰ কুঁৱৰী পাতিম। ইয়াকে ভাবি ৰজাই তেওঁৰ ঘোঁৰাৰ বিষয়াক কলে যে সি ঘৈণীয়েকক ৰজাৰ অন্তেষপুৰলৈ পঠিয়াই দিব লাগে। সি ৰজাৰ কথাত কোনোমতে মান্তি নহল। ৰজাই বাৰে বাৰে কৈও ঘোঁৰাৰ বিষয়াক সেই কথাত কোনোমতে মান্তি কৰিব নোৱাৰি তাক বন্দী কৰি থোৱালে। গিৰিয়েকক বন্দী কৰি থৈয়েই ৰজাই ঘৈণীয়েকক কাঞ্চনীৰ ওচৰলৈ নিজে আহি নানা প্ৰকাৰে কাঞ্চনীক তেওঁৰ কুঁৱৰী হবলৈ বুজাবলৈ চেষ্টা কৰিলে, কিন্তু তাই একোতে সেই কথাত মান্তি নহল। ৰজা তোঁটা হৈ উভতি গৈ ভাবিলে যে গিৰিয়েক জীয়াই থাকে মানে কাঞ্চনীক মোৰ কুঁৱৰী কৰিবলৈ সৈমান কৰাব নোৱাৰো, সেইদেখি তাইৰ গিৰিয়েকক মাৰি পেলাই বাটটো মুকলি কৰি লওঁ। ইয়াকে ভাবি ৰজাই কাঞ্চনীৰ গিৰিয়েকক শালত দিবলৈ হুকুম দিলে।

ৰজাৰ বৰচ'ৰাৰ মুখতে কাঞ্চনীৰ গিৰিয়েকক শালত দিছে। কিন্তু এই কথাৰ কাঞ্চনীয়ে তেতিয়াও একো বুজ পোৱা নাই; তাই বং মনেৰে ঘৰত আজি তাঁত এখন বৈ আছে। এনে সময়তে এজনী কাঁউৰীয়ে শালত দিয়া কাঞ্চনীৰ গিৰিয়েকৰ গাৰখীলা ওলোৱা তেজ খাই ঠোঁট ৰঙা কৰি উৰি আহি কাঞ্চনী

ওচৰতে পৰি চট্‌ফটাবলৈ ধৰিলে। এবাৰ কাউৰী জনীয়ে মাত লগালে—

"কাঁচনী, কাঁচনী, নৰবি কাঁচনী, জালি তাঁত এৰেলি থ।
ৰবচ'ৰাৰ মুখতে ৰজাই শালত দিছে, তাকে চাবলৈকে ব'ল।"

এই কথা শুনি কাঞ্চনীয়ে কাউৰীজনীৰ ফালে চাই তাইৰ ঠোঁটটো ৰঙা দেখি গাত লাই-সৰিয়হ কুটা যেন পালে। কাঞ্চনীয়ে কাউৰীক সুধিলে—

"কাউৰী কাউৰী অজাতি কাউৰী, কিখাই ৰোলালি ঠোঁট?"

কাউৰীয়ে উত্তৰ দিলে—

"কাঁচনী বাই, মই অজাতি কাউৰী, একো খাই নোৰোলাওঁ ঠোঁট।
ৰবচ'ৰাৰ মুখতে গিৰিয়েৰক শালত দিছে, তেজেৰে ৰোলালো ঠোঁট।"

এই কথা শুনা মাত্রকতে কাঞ্চনীয়ে জালি তাঁত এৰি ভিতৰ সোমাই সেন্দুৰৰ কৌটা আৰু ৰেখা পিন্ধিলে, সকলো অলঙ্কাৰ-পাতি পিন্ধিলে আৰু সাৰৰণৰ ভাল বিহা-মেখেলাযোৰ পিন্ধি ধাননিৰ মাজে-দিয়েই বাট পোনাই লৰি ৰজাৰ ৰবচ'ৰাৰ ফালে চাপলি মেলিলে। ইফালে চাওঁতাওঁতে কাঞ্চনীৰ গিৰিয়েৰক তাৰ ভৰিৰ ফালপৰা কুণ্ডাশালত চেপি আনি থাকোতেই গিৰিয়েকে দূৰৈৰপৰা কাঞ্চনী লৰি অহা দেখি বিনাই কলে,—

"ধাননি ধাননি নাহিবি কাঞ্চনী,
ধান-পাতে কাটিব গা।
মোৰে বিলাই যি হবৰ হওকে,
ঘৰলৈ উভতি যা॥"

কাঞ্চনীয়ে লৰি আহি থাকোতেই গিৰিয়েকৰ কথা শুনি বিনাই উত্তৰ দিলে—

"কাটিলে কাটকে ধানৰে পাতে গা,
তালৈ নকৰো কাণ।
তোমাৰে লগতে হম সহমৰী,
নাৰাখো দুখুনী প্রাণ।"

এইবুলি কাঞ্চনীয়ে গিৰিয়েকৰ ওচৰ পাই দীঘল দি গিৰিয়েকক সেৱা কৰি গিৰিয়েকৰ লগতে শালত মূৰটো সুমাই দিলে। কোনেও তাইক হকা-বধা কৰিবলৈ সাহ নকৰিলে। অলপ পৰৰ পিছতে দুয়োকো জীয়া দুচিৰে তেল দুটা এৰি গোসাঁইৰ ওচৰলৈ উৰি গল।

ৰজাই এই বাতৰি শুনিলত বেজাৰ কৰি বিনাবলৈ ধৰিলে—

"কাঁচনী বাবৰে শুনিলোঁহেঁতেন,
ছকুৰি লগুৱা দিলোহেঁতেন।
কাঁচনী বাবৰে শুনিলোহেঁতেন,
দোলায়ে ঘোঁৰায়ে পঠালোহেঁতেন।
কাঁচনী বাবৰে শুনিলোঁহেঁতেন,
গিৰিয়েৰক শালত নিদিলোহেঁতেন।"

শোক কমিলত ৰজাই কাঞ্চনী আৰু তাইৰ গিৰিয়েৰক নৈৰ কাষত থৰি দিবলৈ মন্ত্রীক হুকুম দি কলে—"নৈৰ এপাৰে কাঞ্চনীক আৰু আনপাৰে গিৰিয়েৰক থৰি দিয়া। কাঞ্চনীক চন্দন, সৰল, পদ্ম, উৰৈ, গন্ধসৰৈ, ধূপ-ধুনা, ঘিউৰে থৰি দিবা। গিৰিয়েৰক চুৰাখুটি, শুকান চুৰাপাত ইত্যাদিৰে থৰি দিবা।"

ৰজাৰ হুকুম মতেই মন্ত্রীয়ে কাম কৰিবে। দুয়োৰা চিতাত ধম্‌ধম্ কৰে দুকুৰা জুই জলিছে, এনেতে দেখা গল যে দুইৰো চিতাৰ দুইকুৰা জুইৰ আগ দুটা পাৰৰ পৰা দীঘল হৈ আহি নৈৰ মাজতে পাক খাই একেটা হ'ল। সকলোৱে এই কথা শুনি আচৰিত মানিলে। ৰজাইও পিছত মন্ত্রীৰ মুখে এই কথা শুনি আচৰিত হৈ দুইখন মৰিশালিত দুজোপা গছ কই দিবলৈ হুকুম দি কলে—"কাঞ্চনীৰ মৰশালিত খাঁহত এজোপা আৰু গিৰিয়েকৰ মৰিশালিত ৰৰগছ এজোপা ৰুবা।"

কিছু কালৰ মূৰত দেখা গ'ল যে, নৈৰ দুয়োপাৰৰ দুই জোপা গছে ফেৰ ধৰি ডাঙৰ হৈ, দুপাৰৰ পৰা হালি আহি, ঠিক নৈৰ মাজত মিলি এজোপা হৈ বাঢ়িবলৈ ধৰিলে।

ছুচুং পছু

(সন্দু লবা-ছোৱালীলৈ)

এসময়ত এজন ৰজাৰ এজন মন্ত্রী আছিল। এদিন ৰজাই দুটা মাছ আনি মন্ত্রীক কলে, "মন্ত্রী, তুমি মোক এই মাছ দুটাৰ কোনটো মতা, কোনটো মাইকী চিনি দিয়া। যদি তুমি চিনিব নোৱাৰা তেন্তে তোমাক গোতাশালত থম।" মন্ত্রীয়ে কোনো-ৰকমেই মাছ দুটা চিনিব নোৱাৰিলে; ৰজাই যেইদেখি তেওঁক গোতাশালত থলে। মন্ত্রীক গোতাশালত থোৱা দেখি মন্ত্রীৰ পত্নেকে বৰ বেজাৰ

পাই পিতাকক পোতাশালৰ পৰা মোকোলাবলৈ উপায় বিচাৰি হাতত ছাতি এটা আৰু খৰম এযোৰ মাত্ৰ লৈ ঘৰৰ পৰা ওলাই গল। মন্ত্ৰীৰ ল'ৰাই বাটত এটা লগৰীয়া পাই তাৰ সৈতে কথা-বতৰা পাতি গৈ গৈ গধূলি সময়ত সেই মানুহটোৰ ঘৰ পালেগৈ। মন্ত্ৰীৰ ল'ৰা পদূলিমুৰত ৰল। মন্ত্ৰীৰ ল'ৰাই বাটত যাওঁতে গছতল পালে ছাতিটো মেলি লয় আৰু এনেই হলে জপাই লয়। সেইদৰে পানী পালে বা বোকা পালে খৰমযোৰ পিন্ধে, এনেই হলে হাতত লৈ যায়। মানুহটোৱে এইবিলাক কথা দেখি আচৰিত মানি গৈছিল। মানুহটো ঘৰ পালত তাৰ লগত যোৱা মন্ত্ৰীৰ ল'ৰাই পদূলিমুৰতে ৰহি অলপ জিৰাইছে, এনেতে জীয়েকে মানুহটোক সুধিলে, "পিতাই! তুমি ইমান বাট খোজ কাঢ়ি আহিলা, তোমাক বাটে কিলালে নে, তুমিহে বাটক কিলালা?" মানুহটোৱে আচৰিত যেন শুনি জীয়েকক ডেকাহি মাৰি দিলে, "এঃ তোৰে নিচিনা অদ্ভুত মানুহ এটা বাটত পাই আহিছোঁ, সি গছতল পালে ছাতি মেলে, পানী বা বোকা পালে খৰম পিন্ধে।" জীয়েকে এই কথা শুনি বাপেকক কলে "পিতাই! সেইজন বৰ মানুহ। এতিয়া কলৈ গল। সেইজন বৰ জ্ঞানী মানুহ। তুমি তেওঁক মাতি আনা, মোৰ অলপ দৰকাৰ আছে, তেনেকুৱা মানুহ এজন লাগে।" বাপেকে কলে, "সেইটোক কেলেই অ?" জীয়েকে কলে, "নহয় পিতাই যোৱা, তেওঁক মাতি আনাগৈ।" জীয়েকৰ কথা শুনি বাপেকে গৈ মন্ত্ৰীৰ ল'ৰাক মাতি আনিলে। সি তাৰ ঘৰতে দিনদিয়েক থাকিল। ল'ৰাটো ভাল দেখি মানুহটোৱে জীয়েকক তালৈ বিয়া দিয়াৰ মন কৰি তাৰ আগত সেই প্ৰস্তাৱ কৰিলত, মন্ত্ৰীৰ লৰাই কলে, "যদি তুমি তোমাৰ জীয়েৰাক মোলৈ দিব খোজা তেন্তে মোৰ এটা নিয়ম আছে সেই নিয়ম মতে হলেহে মই বিয়া কৰাব পাৰো।" বাপেকে কলে "এৰা তোমাৰ নিয়মতে হবলৈও বৰ টান, তুমি বোকা পানী পালে খৰম পিন্ধা, গছতল পালে ছাতি মেলি লোৱা। এনেকুৱা নিয়ম হলেনো আমি কেনেকৈ পাৰিম?" জীয়েকে কলে, "পিতাই, তুমি সেইটো কথাও জনা নাইনে? মই ভাঙি দিওঁ শুনা। বোকা বা পানী পালে খৰম পিন্ধাৰ কাৰণ এই যে, তেখেতে আহিছে দেশ ফুৰিবলৈ, যদি বোকাৰ তলত এডাল কাঁইট থাকে তেন্তে তেখেতে নেদেখে। সেইদেখি তেখেতে কাঁইটে বিন্ধিব নোৱাৰাকৈ খৰম পিন্ধি যায় আৰু গছৰ ওপৰত অনেক চৰাই থাকে, কিজানি সেইবিলাকে গাত লেতেৰা কৰে সেইকাৰণে গছতলত ছাতি মেলি লয়। তুমি ইয়াকে বৰ কথা যেন পাইছা। মই কবলৈ হলে মই তেওঁক [illegible] অন্যক বিয়া দিলে মৰিবলৈহে যাম।" বাপেকে [illegible] মন্ত্ৰীৰ ল'ৰাক সুধিলে, "বাৰু তোমাৰনো নিয়মটো কি?" মন্ত্ৰীৰ ল'ৰাই কলে, "মোৰ বোপাই ৰজাঘৰৰ মন্ত্ৰী আছিল। সিদিনা ৰজাই কোনোবা মানুহৰ কথা শুনি মোৰ পিতাক মন্ত্ৰী ভাঙিবৰ মনেৰে মাছ দুটা আনি সেইটোৰ কোনটো মতা মাইকী চিনি দিবলৈ কলে। মোৰ পিতাই মাছ দুটা চিনি দিব নোৱাৰিলে। তেতিয়া ৰজাই মোৰ পিতাক মন্ত্ৰী ভাঙি পোতাশালত বন্দী কৰিলে। মই পিতাক পোতাশালত থোৱা দেখি বৰ বেজাৰ পাই কোনো প্ৰকাৰে মাছ দুটা চিনি পিতাক পোতাশালৰ পৰা উলিয়াবৰ উপায় বিচাৰি আহিছোঁ। এতিয়া যদি তোমাৰ জীয়েৰে কিবা উপায়েৰে পিতাক মুকলি কৰিবগৈ পাৰে তেন্তে মই তাইক বিয়া কৰাব পাৰো, নহলে নকৰাওঁ।" ছোৱালীজনীয়ে এই কথা শুনি কলে, "সেইটোনো কি কথা আছে, মই ভাঙি দিম।" মন্ত্ৰীৰ ল'ৰাই কলে "বাৰু তেনেহলে একো কথাই নাই।" এইবিলাক কোৱাৰেলা কৰি মন্ত্ৰীৰ ল'ৰা তাতে কেইদিনমান থাকি ছোৱালী বিয়া কৰাই ঘৰলৈ উলটি আহিল। ঘৰত দুই তিনি দিনমান আছে। এদিন মন্ত্ৰীৰ ল'ৰাই ঘৈণীয়েকক কলে—"এতিয়া মাছ চিনি দি মোৰ পিতাক পোতশালৰ পৰা মুকলি কৰিব লাগে।" ঘৈণীয়েকে কলে, "বাৰু আপুনি এতিয়া ৰজাৰ ঘৰলৈ যাওক। ৰজাক কওকগৈ যে 'স্বৰ্গদেউ, মোৰ পিতাই মাছ দুটাৰ মতা-মাইকী চিনিব নোৱৰা কাৰণেই পোতাশালত আছে। মই স্বৰ্গদেউক মানুহৰ মতা মাইকী চিনিবলৈ দিওঁ পাৰিবনে? যদি আপুনি চিনিব পাৰে তেন্তে মইও মাছ দুটাৰ মতা-মাইকী চিনি দিব পাৰিম।' আৰু কব, 'মই মানুহৰ মতা মাইকী চিনি দিব পাৰিলে আৰু আপুনি নোৱাৰিলে মোৰ পিতাদেৱক মুকলি কৰি দিব লাগিব।' এই বুলি ঘৈণীয়েকে গিৰিয়েকক কি কৰিব লাগে শিকাই দিলে। গিৰিয়েকে ঘৈণীয়েকৰ কথামতে ৰজাৰ ওচৰলৈ গৈ সেইদৰে কলত ৰজাই তেনে ৰজৰজত মাতি হলত, এটা দীঘলীয়া খাল খনোৱাই মতামানুহ আৰু তিৰোতামানুহক মতামানুহৰ কাপোৰ পিন্ধাই লৈ সিহঁতৰ মুখ আৰু গা কাপোৰেৰে চিনিব নোৱাৰাকৈ ওৰণীৰে ঢাকি দি সিহঁতক সেই খালটো জঁপিয়াই পাৰ হবলৈ দিলে। আৰু কৈ দিলে, যি জাপমাৰি পাৰ হব সি সোণৰ মোহৰ একোটা পাব। সোণৰ মোহৰৰ লোভত অনেক মতা আৰু তিৰোতা সেইদৰে মতাৰ কাপোৰ পিন্ধি চিনিব নোৱাৰাকৈ খাল জপিয়াই পাৰ হবলৈ আহিল। মানুহবোৰে খাল পাৰ হোৱা চাই থাকি ৰজাই সিহঁতৰ তিতৰত তিৰোতাবোৰৰ কাকো চিনিব নোৱাৰি মতা, তোলাত, মন্ত্ৰীৰ পুতেকে সেইবোৰৰ তিৰোতা বুলি চিনি দিলে। ৰজাই পিছত পৰীক্ষা কৰি চাই আচৰিত মানি মন্ত্ৰীৰ পুতেকক কেনেকৈ চিনিলে

বুলি সোধাত, মন্ত্ৰীৰ পতেকে কলে, "স্বৰ্গদেও, জাপ মাৰোতে মই মানুহবোৰৰ ভৰিবোৰলৈ চাই আছিলো। যি মানুহে সোঁও ভৰিটো আগবঢ়াই জাপ মাৰে সি মতা, আৰু যি বাওঁ ভৰিটো আগবঢ়াই থাল পাৰ হৈছিল সেই কেইটাকে তিৰুতা বলি বুজিলোঁ, কাৰণ তিৰুতাইহে বাওঁ ভৰিটো সোঁও ভৰিটোৰ আগেয়ে দিয়ে।" ৰজাই এই কাৰ্য্যত সন্তুষ্ট হৈ মন্ত্ৰীক পোতশালৰপৰা মুকলি কৰি দিলে।

ৰজাৰ নাপিতটো মন্ত্ৰীৰ শত্ৰু। সি বৰ ধূৰ্ত্ত, বৰ চেঙৰ। সি ৰজাক কলে যে, "স্বৰ্গদেউ, মন্ত্ৰীৰ ল'ৰাই যি বুদ্ধিৰে ৰাপেকক মোকোলালে সেইটো তাৰ নিজৰ বুদ্ধি নহয়, তাৰ ঘৈণীয়েকৰহে। সেই-জনী তিৰুতা স্বৰ্গদেউৰহে যোগ্য।" ৰজাই কলে, "হয়নে? বাৰু তেন্তে এটা উপায় কৰি তাইক আনিব লাগে।" নাপিতে ৰজাক বুধি দিলে "স্বৰ্গদেউ, মন্ত্ৰীক এটা ভুচুংপছ আনি দিবলৈ কওক। নোৱাৰিলে, আকৌ পোতাশালত বন্দী কৰি থৈ, বোৱাৰীয়েকক লৈ আহিব।" তাৰ কথা শুনি ৰজাই মন্ত্ৰীক কলে যে "তুমি মোক এটা ভুচুংপছ আনি দিব লাগে, নহলে তোমাক কাটিম।" মন্ত্ৰীয়ে এই আদেশ পাই এইবাৰ প্ৰাণৰ সংশয় যেন ভাবি মনমাৰি চ'ৰাঘৰত বহি আছেহি। এনেতে বোৱাৰীয়েকে ওলাই আহি সুধিলে, "আপুনিনো আজি মন মাৰি বহি আছে কিয়?" শহুৰেকে কলে, "কি হ'ব আই, ৰজাই আজি যি আদেশ কৰিছে এইবাৰ সেই আদেশ পালন কৰিব নোৱাৰিলে কটা যাব লাগিব, আৰু আদেশ পালন কৰিবও নোৱাৰো।" বোৱাৰীয়েকে সুধিলে "কি আদেশনো শুনোচোন।" শহুৰেকে ক'লে, "শুনিলেনো কি হব, বাৰু শুনি-বলৈ ইচ্ছা কৰিছ যদি শুন। আজি ৰজাই কৈছে বোলে ৰজাক হেনো ভুচুংপছ এটা আনি দিব লাগে, নহলে মোক কাটিব।" বোৱৰীয়েকে কলে, "হুঃ বৰ কথাটো! তাতে আপুনি ইমান চিন্তা কৰিছে? মই দিম ভুচুংপছ আনি। আপুনি ৰজাৰ ঘৰলৈ যাওক, আৰু ৰজাক কওকগৈ যে আপোনাক ভুচুংপছ বিচাৰিবলৈ এমাহ দিন দিয়ক। তেহে আপুনি বিচাৰি আনি দিব পাৰিব।" শহুৰেকে কলে, "তই পাৰিবিনে এমাহৰ ভিতৰত দিব?" বোৱাৰী-য়েকে কলে, "পাৰিম, আপুনি যাওক।" শহুৰেকেও বোৱাৰীয়েকৰ কথামতে ৰজাৰ ঘৰলৈ গৈ ৰজাক এমাহলৈ দিন খুজিলেগৈ। ৰজাও সন্মত হল। মন্ত্ৰীয়ে এমাহলৈ দিন লৈ আহি বোৱাৰীয়েকক কলেহি। বোৱাৰীয়েকে কলে, "বাৰু এতিয়া আপোনালোকে ভুচুংপছ বিচৰাৰ ভাও ধৰি দিনটো ঘৰত নাথাকিব। মই ৰজাৰ পেটৰ ভাৱটো বুজি লওঁ।" তেওঁবিলাকে বোৱাৰীয়েকৰ কথামতে ভুচুংপছ বিচাৰিবলৈ বুলি সদায় চিকাৰ কৰিবলৈ যায়। ইফালে এদিন ৰজাই মন্ত্ৰীৰ ঘৰলৈ আহি বোৱাৰীয়েকে ৰজাক ৰখিবলৈ খাটিলেহি। বোৱাৰী-য়েকেও ৰজাক লাজ দিবৰ মনেৰে সেই কথাত সন্মত হল। এইদৰে মাজে-সময়ে ৰজা আহে কিন্তু বোৱাৰীয়েকে নানা কাৰণ দেখুৱাই পঠিয়াই দিয়ে। এইদৰেই এমাহ হ'লগৈ, কিন্তু ৰজাই তাইক নিব নোৱাৰিলে। বোৱাৰীয়েকে ৰজাক কলে যে "কাইলৈ এমাহ পূৰ হব, কাইলৈকে যদি মই নেযাওঁ তেন্তে যাব নোৱাৰোঁ। আপুনি কাইলৈ আহিব।" ৰজাই বাৰু বুলি শলাগি সেইদিনা গল। আৰু সেইদিনা বোৱাৰীয়েকে শহুৰেক আৰু গিৰিয়েকক সকলো কথা ভাঙি-চিঙি কৈ পিছদিনা সোনকালে হাবিৰ পৰা আহিবলৈ কলে। পিছদিনা মন্ত্ৰী আৰু তেওঁৰ পুতেক আহি ওলালহি। ৰজাই দুৱাৰমুখত তেওঁবিলাকৰ গম পাই কি কৰিম কি নেলিম একো উপায় নেপাই বোৱাৰীয়েকক বুধি সুধিলে। বোৱাৰী-য়েকেও তৎক্ষণাৎ এটা বুধি উলিয়াই ৰজাক লালিৰ মুটুকি এটাত সুমাই দিলে। ইফালে মন্ত্ৰীয়ে ভিতৰ সোমাই বোৱাৰীযেকক কলে যে "মোক অলপমান লালি লগা হল, মুটুকিটো ক'ত আছে?" বোৱাৰী-য়েকে কলে, "এয়া ইয়াতে আছে।" মন্ত্ৰী লালিৰ মুটুকিৰ ওচৰলৈ উঠি গল। বোৱাৰীয়েকে ততালিকে ৰজাক তাৰপৰা উলিয়াই নি ওচৰতে থকা তুলাৰ থাং এটাত ভৰাই দিলে। ৰজাৰ গোটেই গাটোতে তলা লাগি ৰজা বিকৃত আকাৰ হৈ পৰিল। মন্ত্ৰীয়ে লালিৰ মুটকিৰ ওচৰত তুলাৰ থাংটোত এটা জন্তু সোমাই থকা দেখি সুধিলে "এইটো কি?" বোৱাৰী-য়েকে কলে, "সেইটোৱেই ভুচুংপছ। এতিয়া ধৰি ৰজাৰ ওচৰলৈ লৈ যাওক।" মন্ত্ৰীয়ে এই কথা শুনি আনন্দ পাই ভুচুংপছ ধৰিবলৈ দোল বিচাৰো-তেই ৰজা তাৰ পৰা ওলাই লৰ মাৰি ঘৰৰ ফালে গল। মন্ত্ৰী আৰু পুতেকে পাছে পাছে ভুচুংপছ খেদি নি ৰজাৰ ঘৰত সোমালগৈ। ৰজাই লৰি ভিতৰ সোমাই গা পা ধুই বাহিৰলৈ ওলাই আহি মন্ত্ৰীক কলে, "মই ভুচুংপছ দেখিলোঁ। তোমালোকে যোৱাগৈ, আজিৰ পৰা তোমালোক দুয়ো ৰাজসভাত বহিবলৈ আহিবা।" এই আদেশ পাই মন্ত্ৰী পুতে-কেৰে সৈতে ঘৰলৈ গল। আৰু আমাৰো কাপোৰ-কানি ক'লা হল, শুচি আহিলোঁ।

* টোকা : এই সাধুটো মকৈ বোধ দিয়া হৈছে—সম্পাদক

(বাঁহী, সপ্তম বছৰ, ১ম সংখ্যা—১৮৩৭ শক)

পাতনি

মানুহে ল'ৰাকালৰে পৰা ঈশ্বৰৰ বিষয়ে জনা উচিত। লৰাকালত এই বিষয়ে আওহেলা কৰাৰ ফল পিছত বিষময় হয়। ভালেমান স্কুলীয়া ছাত্ৰৰে ঈশ্বৰৰ বিষয়ে ভালকৈ জানিব নোৱাৰাৰ নিমিত্তে আৰু তেওঁলোকৰ ঘৰত মাক-বাপেকে কৰা ঈশ্বৰৰ পূজা-সেৱা নাম-গুণবোৰ তেওঁলোকে অল্পবিদ্যা আৰু কুসঙ্গদোষৰ নিমিত্তে আগৰ কলীয়া "অসভ্য প্ৰথা" বুলি ভাবি তেওঁলোক ঈশ্বৰত অবিশ্বাসী আৰু এক প্ৰকাৰ নাস্তিক হৈ পৰে। ভাৰতৰ আন আন প্ৰদেশত, বাইকৈ বঙ্গদেশত আজিকালি অনেক ছাত্ৰৰ ভিতৰত যে অৰাজকতা, ৰাজদ্ৰোহ, চুৰি, ডকাইতি, নৰহত্যা আদি মহাপাপে দেখা দিছে, তাৰো স্কুল কলেজত একপ্ৰকাৰ ঈশ্বৰ বিবৰ্জ্জিত শিকাই কিছুপৰিমাণে গুৰি বুলি আমাৰ বিশ্বাস। এই অনিষ্টৰ প্ৰতিৰোধ কৰিবৰ নিমিত্তে এই সৰু কিতাপখনি যুগুত কৰা হৈছে। এই কিতাপ সাম্প্ৰদায়িকতা দোষশূন্য। এনে কিতাপ যে স্কুলত চলাই প্ৰত্যেক স্কুলীয়া ছাত্ৰৰ হাতত দিয়া উচিত তাত আমাৰ অলপো সন্দেহ নাই।

ফাগুন, ১৮৩৬ শক।

শ্ৰীভগৱৎ কথা

প্ৰথম কথা

ঈশ্বৰ আছে (ওঁ সত্যং)

ভালেমান দিনৰপৰা মোৰ ইচ্ছা আছিল তোমালোকক ভগৱানৰ বিষয়ে দুই-চাইটা কথা শুনাবৰ, আৰু তাৰ ফলত যেন তোমালোকৰ হৃদয়তো তেওঁক জানিবৰ ইচ্ছা জগাব পাৰিম আৰু মোৰ নিজৰো প্ৰাণ শীতল কৰিব পাৰিম।

ঈশ্বৰ যে আছে, প্ৰথমতে সেই বিষয়েই মই তোমালোকক বুজাব খোজোঁ, কাৰণ পিছত যি কম সেই সকলো কথাই ঈশ্বৰ যে আছে এই সত্যৰ ওপৰত নিৰ্ভৰ কৰিব। ঈশ্বৰ যদি নাই, তেনেহলে তেওঁৰ বিষয়ে কোনো কথা কোৱাৰেই সকাম নাই।

আমি সকলোৱে শুনি আহিছোঁ আৰু উপদেশ পাইও আহিছোঁ যে সুখতো, দুখতো ঈশ্বৰক স্মৰণ কৰিব লাগে। তেওঁক ভালকৈ স্মৰণ কৰিলে সকলো বিষয়তে ভাল হয়। তোমালোকেও ধ্ৰুৱৰ উপাখ্যান, প্ৰহলাদৰ উপাখ্যান আৰু আন আন সাধুসকলৰ অনেক কথা নিশ্চয় পঢ়িছা আৰু শুনিছা। সেই কথাবোৰ শুনি তোমালোকৰ মনতো নিশ্চয় এবাৰ মহৎ এবাৰ ইচ্ছা হৈছে যে তোমালোকেও যেন সেই সাধুসকলৰ দৰে ঈশ্বৰক মাতিব পাৰা।

সাধুসকলৰ কথা পঢ়ি বা শুনি দুবাৰ এবাৰ ঈশ্বৰক মাতিবৰ ইচ্ছা হলেতো নচলিব। ঈশ্বৰক ভালকৈ জানিব লাগিব, আৰু জানি সকলো সময়তে সকলো কামতে স্মৰণ কৰিব লাগিব, তেহে তোমালোকে ভক্ত সাধুসকলৰ নিচিনা হব পাৰিবা। তেওঁক নাজানিলে তোমালোকে কেনেকৈ তেওঁক সকলো কামতে স্মৰণ কৰিব পাৰিবা?

এতিয়া তোমালোকে বুজিলা যে আগেয়ে ঈশ্বৰক জানিব লাগিব। কিন্তু তেওঁক জানিবলৈ গলেই পোন প্ৰথমতে জানিব লাগিব যে তেওঁ আছে। তোমালোকে ছালৰ চকুৰে তেওঁক দেখিবলৈ নোপোৱা সেইটো ঠিক, কিন্তু মোৰ কথাবোৰ ভালকৈ মন কৰি গলেই বুজিব পাৰিবা যে ঈশ্বৰ আছে। চোৱাহঁ কচোন, এই পৃথিৱীতেই আমি সকলো বস্তু আমাৰ সকলো অঙ্গেৰে জানিব নোৱাৰোঁ। এই যে গছত, আকাশত, ফলত, ফুলত, পশুপক্ষীত কত ৰকমৰ বৰণ দেখা যায় সেই বৰণবোৰ দেখিবলৈ গলে আমাৰ চকু মেলি থাকিব লাগে। চকু মুদিলে বৰণ দেখিবলৈ নেপাওঁ, কাণেৰে বৰণ দেখা নাযায়। সেইদৰে কাণেৰে গান শুনা যায়, কিন্তু চকুৰে কোনো শব্দকে শুনা নাযায়। হাতেৰে স্পৰ্শ কৰা যায়, অনুভৱ কৰা যায়, কিন্তু শব্দ শুনা বা বৰণ দেখা নাযায়। যি অঙ্গ যি কামৰ নিমিত্তে যুগুত হৈছে সেই অঙ্গৰ দ্বাৰাই সেই কামহে হয়। এটা অঙ্গৰ দ্বাৰাই আন এটা

অঙ্গৰ কাম কৰা নাযায়। ঈশ্বৰক জানিব খুজিলে এই ছালৰ শৰীৰৰ দ্বাৰাই জানিব নোৱাৰা। তোমালোকৰ যে বুদ্ধি আছে, সেই বুদ্ধিৰ দ্বাৰাই তেওঁক জানিব লাগিব। বুদ্ধিয়েই ঈশ্বৰক জানিবৰ অঙ্গ। সেই বুদ্ধিৰে সৈতে ছালৰ কোনো সম্বন্ধ নাই।

অলপমান থিৰ হৈ ভাবি চালেই, তোমালোকৰ ভিতৰত যে বুদ্ধি আছে সেই বুদ্ধিয়ে কৈ দিব যে ঈশ্বৰ আছে। এটা বাটিত অলপ লোণ থৈ সেই লোণৰ ওপৰত অলপ পানী পেলাই দিলে সেই লোণ নাইকিয়া হল দেখিবা, কিন্তু তোমালোকে দেখিবলৈ পোৱা নাই বুলিয়েই যে সেই লোণ তাত নাই এনে নহয়, নিশ্চয় আছে। সেই লোণ মিহলি হোৱা পানী এটোপা মুখত দিলেই বুজিব পাৰিবা যে তাৰ ভিতৰত লোণ আছে। যদি সেই লোণ তোমালোকৰ ছালৰ চকুৰে চাব খোজা তেন্তে পানীৰ বাটিটো ৰ'দত থৈ দিলেই, সেই পানী শুকাই গলে তাত আকৌ লোণ দেখা পাবা। সেইদৰে বুদ্ধিয়ে তোমালোকক জনাই দিব যে ঈশ্বৰ আছে। কিন্তু যদি সেই বুদ্ধিৰে ঈশ্বৰক ভালকৈ দেখিবলৈ বিচাৰা তেনেহলে তাৰ নিমিত্তে বিশেষ উপায় অৱলম্বন কৰিব লাগিব।

এতিয়া ভাবি চোৱাচোন, তোমালোকৰ বুদ্ধিয়ে তোমালোকক ঈশ্বৰ আছে নে নাই কৈ দিয়ে নে নিদিয়ে। মনতে ভাবা যে তোমাৰ এখন ঘৰ আছে। সেই ঘৰত তুমি নাথাকিলেও তোমাৰ লগুৱা-লিগিৰীয়ে তোমাৰ হুকুম মতে কাম কৰে। এদিন যদি মই সেই ঘৰলৈ গৈ দেখোঁ, যে তাৰ লগুৱা-লিগিৰীবোৰে নিজৰ নিজৰ নিৰ্দিষ্ট কাম কৰিব লাগিছে, তেনেহলে মই নিজৰ বুদ্ধিৰেই বুজিব নোৱাৰিম নে যে সেই ঘৰৰ এজন গৰাকী আছে, যাৰ হুকুম মতে সিহঁতে নিয়মিত কাম কৰিব লাগিছে? ৰেলগাড়ী আৰু ট্ৰাম গাড়ীবোৰ চলি থকা দেখিলে মনত যেনেকৈ ৰেন সেইবোৰ আপোনাআপুনি চলিছে। কিন্তু বাস্তবিকতে সেইটো ঠিক নে? সঁচাসঁচিকৈয়ে এজন চলাওঁতাই সেইবোৰ চলায়, তেহে সেইবোৰ চলে। সেইদৰে যেতিয়া দেখোঁ যে পৃথিৱীৰ সকলো কাৰ্য্যই কেনে নিয়ম মতে চলিব লাগিছে, তেতিয়াই আমাৰ বুদ্ধিয়ে আমাক কৈ দিয়ে যে এই সকলো কাৰ্য্যৰে এজন চলাওঁতা আছে। এই সূৰ্য্য চন্দ্ৰ দিনৌ নিয়মিত সময়ত ওলায় আৰু নিয়মিত সময়ত মাৰ যায়, এই সূৰ্য্য চন্দ্ৰ ওলোৱা আৰু মাৰ যোৱাৰ লগে লগে ঘাম, বাৰিষা, জাৰ, বসন্ত প্ৰভৃতি ঋতুবোৰ নিয়মিত সময়ত হৈ জগতত কেনেকৈ সুখ শান্তি দিছে। বাৰিষা আকাশৰ পানী পাই গছ-গছনিবোৰ বাঢ়ে। শৰতৰ পৰৱ পাই ধান প্ৰভৃতি পকিবলৈ হবে; মনত ৰাখৰ দৰকাৰ পাই গছ-গছনিবোৰৰ পৰা য পাক

ফুল ওলায়। এই জগতৰ সকলো কাম নিয়মিত ভাৱে অবিশ্ৰাম হৈ যাব লাগিছে। এজন কৰ্ত্তা আৰু নিয়ন্তা নাথাকিলে সেই কামবোৰ এনে নিয়মিতভাৱে চলিব পাৰে নে?

তোমালোকে কিতাপত পঢ়িছা যে আমাৰ মূৰৰ ওপৰৰ আকাশত হীৰাৰ টুকুৰাৰ নিচিনা সৰু সৰু যি তৰা দেখিবলৈ পোৱা যায়, সেইবোৰৰ প্ৰত্যেকটোৱেই পৃথিৱী একোখনৰ সমান আৰু কোনো কোনোটো পৃথিৱীতকৈয়ো ভালেমান ডাঙৰ। আকাশত যিবোৰ তৰা দেখা যায় সেইবোৰৰ লেখ কৰি শেষ কৰিব নোৱাৰি। এই তৰাবোৰৰ বাহিৰেও এনে অনেক তৰা আছে যিবোৰ এতিয়াও আমাৰ চকুত পৰাই নাই। কিন্তু ইমানবোৰ গ্ৰহ, নক্ষত্ৰ, তৰা ঠিক নিয়ম মতে চলিব লাগিছে। যি মহান পুৰুষৰ নিয়মত, যাৰ আদেশত এইবোৰ নিয়ম মতে চলিব লাগিছে তেৱেঁই ঈশ্বৰ। তেওঁ নিশ্চয় আছে। তেওঁ যদি নাই, তেন্তেনো আৰু আছে কি? তেওঁ আছে দেখি সকলো নিয়মমতে আছে, আমি আছোঁ আৰু আমি জীয়াই আছোঁ। এতেকে তোমালোক আহাঁ, ভক্তিৰে সৈতে তেওঁক বাৰে বাৰে নমস্কাৰ কৰি আমাৰ জীৱন সাৰ্থক কৰোঁ।

ঈশ্বৰ সকলোতকৈ বেছিকৈ আছে দেখি তেওঁৰ এটি নাম সত্য। তুমি আছা, মই আছোঁ, এই গছ-গছনিবোৰ আছে, ঘৰ আছে, বাৰী আছে, সেইবাবে এই সকলোবোৰ সত্য। কিন্তু আমি মৰি গলে আৰু কি আমি ইয়াত থাকোঁ? এই গছ-গছনিবোৰ মৰি গলে বা পুৰি গলে কি আৰু গছ-গছনি থাকে? এই ঘৰ বাৰী ভুঁইকঁপত চুৰমাৰ হৈ গলে কি আৰু ঘৰবাৰী থাকে? নাথাকে। সেই বাবে তুমি, মই, গছ-গছনি, ঘৰবাৰী যিমান কাল যত থাকিব সিমান কাল সেইবোৰ সেই ঠাইতে সত্য। কিন্তু ঈশ্বৰ আমাতকৈ অনেক বেছি আছে, কবলৈ কি, তেওঁ সকলো সময়তে সকলো ঠাইতে একেভাৱে আছে, সেইদেখি তেওঁ সকলোতকৈ বেছি সত্য; অৰ্থাৎ সেই সত্যৰ আৰু লোপ নহয়।

ঈশ্বৰ যদি চিৰকাল আৰু সকলো ঠাইতে সমভাৱে নাথাকে, তেনেহলে সূৰ্য্য চন্দ্ৰ প্ৰভৃতিৰ পৰা এই পৃথিৱীৰ ধূলিলৈকে সকলোবোৰ চিৰকাল কি সমানভাৱে নিজৰ কাম কৰি যাব পাৰে? কোনে সেইবোৰক সমানভাৱে চলাই নিব পাৰিলেহেঁতেন? ঈশ্বৰ চিৰসত্য, আছে। সেইবাবে তেওঁ এইবোৰক চিৰকাল সমানভাৱে চলাইছে। এই নিমিত্তে কোৱা যায় যে ঈশ্বৰ মহান সত্য আৰু আনবোৰ সকলোবোৰ সত্য। সেই মহান সত্য আছে বুলি আমিও সত্য হৈ আছোঁ। সেই মহান সত্যৰ বাবে আমিও সত্য হৈ

জীয়াই আছে। সেই ঈশ্বৰৰ অস্তিত্বৰূপ মহান সত্যৰ ভাব লৈ যি কিছু ঘটনা হয় বা যি কিছু আছে, তাকেই আমি সত্য বোলো আৰু সেইবোৰৰ সম্পৰ্কে যি কিছু কোৱা যায় তাকেই আমি সত্য কথা বোলোঁ। যি হোৱা নাই, তাক হৈছে বুলিলে সেই কথাক আমি মিছা কথা বোলোঁ। মিছা কাম কৰিলে বা মিছা কথা কলে এইবাবে আমি ঈশ্বৰৰ পৰা দূৰত পৰোঁ গৈ।

এতিয়া বোধকৰোঁ তোমালোকে বুজিব পাৰিলা যে ঈশ্বৰ সত্য স্বৰূপ, আৰু তোমালোকে তেওঁৰ ওচৰলৈ যাব খুজিলে, তেওঁক দেখিব খুজিলে, সকলো সময়তে সকলো অৱস্থাতে সত্য কাম কৰিব লাগিব, আৰু সত্য কথা কব লাগিব।

আজি তোমালোকৰ কাণত এটি সৰু মন্ত্ৰ দিম। সেই মন্ত্ৰটি তোমালোকে দিনে-ৰাতিয়ে, দুপৰীয়া, সন্ধ্যাবেলিকা, সকলো সময়তে সকলো অৱস্থাতে জপ কৰি নিজৰ মনেৰে সৈতে তাক একেবাৰেই মিহলাই লবা, তেনেহলেই তোমালোকে ঈশ্বৰক প্ৰত্যক্ষ দেখিবলৈ পাবা। সেই মন্ত্ৰটো এই—
—ওঁ সত্যং

দ্বিতীয় কথা

ঈশ্বৰে জানিছে (জ্ঞানং)

ঈশ্বৰ আছে, এই বিষয়ে প্ৰথম কথাত বুজাইছোঁ। আজি দ্বিতীয় কথাত বুজাবলৈ চেষ্টা কৰিম যে ঈশ্বৰে সকলো জানিছে।

ঈশ্বৰে সকলো জানে বুলিলে বুজায় যে ঈশ্বৰৰ জ্ঞান আছে। তেওঁৰ যে জ্ঞান আছে সেইটো বুজাবলৈ আমি সৰহ দূৰলৈ যাবই নেলাগে। দিনৌ পুৱা বেলিয়া সূৰ্য্য আকাশ আৰু পৃথিৱীৰ লগ লগা ঠাইৰ কুঁৱলি ভেদ কৰি চাৰিওদিশ পোহৰ কৰি ওলায়, দিনৌ সন্ধ্যাবেলিকা বেলিয়া এজাৰ আকাশক গ্ৰহ নক্ষত্ৰেৰে চাকি ধৰা দেখোঁ, পূৰ্ণিমা নিশাত বেলিয়া পূৰ্ণচন্দ্ৰক সন্ধ্যাবেলিকা পূবফালে ওলাই পুৱাবেলিকা পশ্চিমত মাৰ যোৱা দেখোঁ, তেতিয়াই ঈশ্বৰৰ জ্ঞানৰ কিমান চিনাকি পাওঁ। অন্ততঃ আমি এইখিনি বুজিব পাৰোঁ যে ঈশ্বৰ সকলো ঠাইত আৰু সকলো সময়ত যথাযথভাৱে আছে। আৰু যাৰ আদেশত সকলো প্ৰকৃতিৰ কাম সুনিয়মেৰে চলিছে, সেই ঈশ্বৰ এটি জ্ঞানশূন্য মূৰ্খ জীৱ নহয়।

জ্ঞানৰ লক্ষণ হৈছে নিয়ম আৰু প্ৰকাশ। জ্ঞানীলোকৰ কাম নিশ্চয় নিয়মৰ ভিতৰেদি প্ৰকাশ পায়। মনত ধৰা যে এঘৰলৈ গৈ দেখা গ'ল যে লগুৱা-লিগিৰীবোৰে সকলো কাম ঠিক নিয়মমতে কৰিছে, প্ৰত্যেক বস্তুটো ঠিক ঠিক ঠাইত থৈছে; তেনেহলে সহজে বুজা যায় যে যি গৰাকীৰ কথা-মতে সিহঁতে এনে সুনিয়মে কাম কৰিছে সেই গৰাকীজনা নিশ্চয় এজন জ্ঞানৱন্ত লোক, সেইজনা কেতিয়াও বলিয়া বা মূৰ্খ হ'ব নোৱাৰে। কিন্তু যদি দেখা গ'লহেঁতেন যে ঘৰখনৰ কতোবা কিছুমান ফটা কিতাপ পৰি আছে; কতোবা কিছুমান ভগাছিগা বস্তু পৰি আছে, খোৱা বস্তবোৰ কাঁহী-বাটি আদি উপযুক্ত পাত্ৰত নাথাকি এনে ধূলিৰ ওপৰত পৰি আছে, তেনেহলে নিশ্চয় আমাৰ মনত খেলালেহেঁতেন যে,—এই ঘৰৰ গৰাকীজন কেনে ঐ? হয় গৰাকীজন একেবাৰেই মূৰ্খ, নহয় তেওঁ বলিয়া। কোনো কাম নিয়মমতে হোৱা দেখিলেই আমাৰ স্বভাৱতে মনত খেলায় যে সেই কামৰ কোনো নিয়ন্তা বা জ্ঞানৱন্ত কৰ্ত্তা আছে। এইবাবে নিয়মক জ্ঞানৰ এটি লক্ষণ বুলি আহিছোঁ।

জ্ঞানৰ দ্বিতীয় লক্ষণ প্ৰকাশ। যাৰ যিমানখিনি জ্ঞান আছে, তাৰ সিমানখিনিহে প্ৰকাশ পায়। কুকুৰ প্ৰভৃতি জীৱ-জন্তুৰ যাৰ যিমানখিনি জ্ঞান আছে, সি সেইখিনিকে নানা উপায়েৰে প্ৰকাশ কৰিব খোজে, কৰিব পাৰে আৰু কৰে। আমাৰও যিমানখিনি জ্ঞান আছে, সিমানখিনিকে আমি প্ৰকাশ কৰিবলৈ বিচাৰোঁ, কৰিব পাৰোঁ আৰু কৰোঁ। এজনে যেই জানিব পাৰিলে যে ভাপৰ বস্তু তুলিবৰ শকতি আছে, তেতিয়াই তেওঁ তেওঁৰ সেই জ্ঞান প্ৰকাশ কৰিলে আৰু তাৰ ফলত আজি কলৰ গাড়ী, কলৰ জাহাজ প্ৰভৃতি কত বস্তু পাইছোঁ। যেই এজনে বুজিব পাৰিলে যে বিজুলীক আকাশৰ পৰা তললৈ নমাব পাৰি, তেতিয়াই তেওঁ সেই কথা প্ৰকাশ কৰিলে আৰু তাৰ ফলত আমি বজ্ৰাঘাতৰ পৰা ৰক্ষা কৰিবৰ নিমিত্তে পকীঘৰত যে লোৰ শলা দিব লাগে সেই জ্ঞান পালোঁ। সৰহ নেলাগে মোকে চোৱাচোন মই ঈশ্বৰৰ বিষয়ে যদিও খুব অলপহে জানিছোঁ, কিন্তু সেইখিনি জ্ঞানকে তোমালোকৰ আগত প্ৰকাশ কৰিবলৈ উৎসুক হৈ পৰিছোঁ; কথলৈ কি, প্ৰকাশ নকৰি থাকিবই নোৱাৰা হৈছোঁ। জ্ঞানৰ এটি লক্ষণ প্ৰকাশ দেখিয়েই এই পৃথিৱীত আমি আজি কত ৰকমৰ জ্ঞানৰ কথা পাইছোঁ, কত ৰকমৰ বিজ্ঞানৰ কথা, কত ধৰ্ম্ম কথা, কত গল্প-সাধু জীৱ-জন্তুৰ কথা আমি জানিব পাৰিছোঁ। একোজনে একোজনে একোটি একোটি বিষয় জানিব পাৰিছে, প্ৰকাশ কৰিব পাৰিছে, আৰু তেতিয়াই তেওঁলোকে সেইবোৰ [illegible]

কৰি দিছে। এইদৰেই তোমালোকে কত জানিবৰ বিষয় পাইছা, পঢ়িবৰ কিতাপ পাইছা।

এতিয়া এই লক্ষণদুটা লৈ চোৱা যাওক যে ঈশ্বৰৰ জ্ঞান আছে নে নাই। প্ৰথম কথাত কৈ আহিছোঁ যে এই পৃথিৱী, সূৰ্য্য, চন্দ্ৰ প্ৰভৃতিৰ সৃজন গৰাকী তেৱেঁই ঈশ্বৰ। আৰু ইয়াৰ আগেয়ে ঠাৱে-ঠিয়াঁৰে মাথোন তোমালোকক ইয়াকে কৈ আহিছোঁ যে এই পৃথিৱী, চন্দ্ৰ, সূৰ্য্য প্ৰভৃতিয়ে নিজৰ নিজৰ কাম ঠিক ঠিক নিয়মমতে কৰি যাব লাগিছে। তোমালোকে ভাবি চালে অবাক হবাহঁক যে ইহঁতে এনে সুন্দৰ নিয়মে নিজৰ নিজৰ কাম কৰিছে, তাৰ ওলট-পালট হবৰ সাধ্য নাই। তোমালোকে জানা যে জ্যোতিষীসকলে গণি কৈ দিয়ে যে অমুকদিনা অমুক সময়ত সূৰ্য্যগ্ৰহণ বা চন্দ্ৰগ্ৰহণ লাগিব। এই গণনা একেবাৰেই "ছেকেণ্ডে" "ছেকেণ্ডে" মিলি যাব লাগিব, নিমিলিলে জনা যাব যে জ্যোতিষীসকলে গণোতে ভুল কৰিছে। কেনেকৈ জ্যোতিষীসকলে এনে সূক্ষ্ম গণনা কৰিব পাৰে? ইয়াৰ কাৰণ এয়ে যে তেওঁলোকে নিশ্চয়কৈ জানে যে সূৰ্য্য চন্দ্ৰ প্ৰভৃতিয়ে এটা স্থিৰ নিয়মত ঘূৰিব লাগিছে। সেই নিয়মটিও তেওঁলোকে জানিছে আৰু তেওঁলোকে এইটোও জানিছে যে সেই নিয়মৰ লৰচৰ হবৰ সম্ভৱ নাই। এইটো কথা তেওঁলোকে জানিছে দেখিয়েই ইমান সূক্ষ্ম গণনা কৰিব পাৰে। সেই নিয়ম তেওঁলোকে জানিব পাৰিছে, যে অমুক সময়ত সূৰ্য্য অমুক ঠাইত থাকিব, পৃথিৱী অমুক ঠাইত থাকিব, চন্দ্ৰ অমুক ঠাইত থাকিব আৰু এনে ঠাইৰ সংযোগ হলেই ঠিক অমুক মুহূৰ্ত্তত চন্দ্ৰগ্ৰহণ হব, অমুক মুহূৰ্ত্তত সূৰ্য্যগ্ৰহণ হ'ব। তোমালোকৰ ভিতৰৰ আটাইকেউজনে কব নোৱাৰা যে'এক ছেকেণ্ডত এটি পোহৰ-ৰেখ কিমান মাইল যায়। জ্ঞানীসকলে কিন্তু পৰীক্ষা কৰি পাইছে যে এটি পোহৰ-ৰেখ এক ছেকেণ্ডত প্ৰায় দুই লক্ষ মাইল যায়। জ্ঞানী মানুহে যে এইবোৰ বিষয় গণি কব পাৰে, তাৰ কাৰণ এয়ে যে তেওঁলোকে নিশ্চয়কৈ জানে যে জগতৰ সকলো কাৰ্য্যই এটা নিয়মত চলিছে। যদি জগতৰ কাৰ্য্যবোৰ অনিময়ত চলিলেহেঁতেন, তেনেহলে তেওঁলোকে কেতিয়াও গণি কব নোৱাৰিলেহেঁতেন যে অমুক সময়ত সূৰ্য্যগ্ৰহণ হব, কিম্বা প্ৰত্যেক পোহৰ ৰেখ প্ৰতি মুহূৰ্ত্তত ইমান মাইল যাবই।

যি নিয়মৰ বলত কোটী কোটী সূৰ্য্য, চন্দ্ৰ, গ্ৰহ-নক্ষত্ৰ ঘূৰিছে, যি নিয়মৰ বলত আমাৰ লৈতে অলেখ গ্ৰহ-নক্ষত্ৰৰ যোগ সাধন হৈছে, যি নিয়মৰ বলত আমাৰ এই এৰল পৃথিৱীতেই হেজাৰ হেজাৰ গছ-গছনি গজি আমাৰ জীৱন ৰক্ষাৰ উপায় স্বৰূপে থিৰ হৈ আছে, যি নিয়মৰ বলত শত সহস্ৰ লক্ষ কোটী ভৱিষ্যৎ যুগৰ মানুহৰ প্ৰাণ ধাৰণৰ নিমিত্তে প্ৰকাণ্ড প্ৰকাণ্ড হাবি-অংঘলবোৰ নাগমাটিৰ খনিত পৰিণত হৈছে, সেইবোৰ নিয়মৰ কৰ্ত্তা তুমি মই হ'ব পাৰোঁ নে? সেই নিয়মবোৰৰ কৰ্ত্তা যি তেৱেঁই আমাৰ ঈশ্বৰ। তেৱেঁই আমাৰ জ্ঞানময় পৰমেশ্বৰ।

তেওঁ কত হেজাৰ হেজাৰ নিয়ম কৰি দিছে আৰু আমি সেইবোৰৰ এডোখৰ আদডোখৰ মাথোন মাজে সময়ে আৱিষ্কাৰ কৰি আমাৰ নিজৰ জ্ঞানৰ গপ মাৰোঁহক। যিবোৰ নিয়মৰ সৰু টুকুৰা একণ আৱিষ্কাৰ কৰি আমি মহাজ্ঞানী বুলি খ্যাতি লাভ কৰোঁ, সেইবোৰ নিয়মৰ কৰ্ত্তা যদি জ্ঞানৱান নহয়, তেন্তে আৰু কোন জ্ঞানৱান হ'ব? তেওঁ জ্ঞানৱান দেখিয়েই তেওঁৰ জ্ঞান তেওঁৰ কামত ওলাই পৰিছে। তেওঁৰ জ্ঞানৰ কাষত আমাৰ জ্ঞান কিমান সৰু, কিমান অলপ! তেওঁৰ জ্ঞানৰ গোটেইটো আমি মনত ধাৰণাকে কৰিব নোৱাৰোঁ। এইবাবে ঋষিসকলে তেওঁক 'সত্যং' বুলিছে, আৰু সেইদৰে তেওঁক 'জ্ঞানং' অৰ্থাৎ জ্ঞানস্বৰূপও বুলিছে। তেওঁ যেতিয়া জ্ঞানস্বৰূপ, তেতিয়া তেওঁ যে সৰ্ব্বতিকালত প্ৰকাশমান তাক কোৱা বাহুল্য মাথোন। আগতে কৈ আহিছোঁ যে জ্ঞানৰ এটি লক্ষণ হৈছে প্ৰকাশ। ঋষিসকলেও সেইদেখি ঈশ্বৰক "স্বপ্ৰকাশ" বুলিছে। প্ৰত্যেক খণ্ড জ্ঞানৰ লক্ষণ যদি প্ৰকাশ হোৱা হ'ল, তেন্তে সকলো জ্ঞানৰ আধাৰ যে সকলো বিষয়তেই প্ৰকাশ হব আৰু কাজেই সৰলো ৰকমে স্বপ্ৰকাশ অৰ্থাৎ আপোনাআপুনি প্ৰকাশ হ'ব, এইটো তোমালোকে সহজে যোধকৰোঁ বুজিব পাৰিবা।

এইবাৰ তোমালোকক এটি মিঠা কথা কৈ মই এই দ্বিতীয় কথা শেষ কৰিম। সেই কথাটো এই যে ঈশ্বৰক আমি জানিব পাৰোঁ; ঈশ্বৰ জ্ঞানস্বৰূপ অৰ্থাৎ সকলো জ্ঞানৰ আধাৰ, আৰু আমি ক্ষুদ্ৰ ক্ষুদ্ৰ জ্ঞানৰ আধাৰ। আশ্চৰ্য্য এই যে সেই মহাজ্ঞানক আমি আমাৰ ক্ষুদ্ৰ জ্ঞানেৰে জানিব পাৰোঁ। ইয়াৰ কাৰণ এই যে, জ্ঞান যতে থাওক, সি ঈশ্বৰৰ নিয়মত সকলো ঠাইতে সমধৰ্মী। কুকুৰক মাৰিলে সি একৰকম সুৰেৰে কাতৰতা প্ৰকাশ কৰে; আমাৰ গাত আঘাত লাগিলে আমিও কাতৰ সুৰেৰে আমাৰ দুখ প্ৰকাশ কৰোঁ। সেইবাবেই কুকুৰৰ কাতৰ ভাব আমি বুজিব পাৰোঁ আৰু আমাৰ কাতৰ ভাবো কুকুৰে বুজিব পাৰে। তোমাক কোনো জন্তুৱে খেদি আহিলে তুমি যদি ভয়ত পলোৱা, তেন্তে সেই জন্তুৱে তৎক্ষণাৎ সেইটো বুজিব পাৰে, আৰু তোমাক আৰু খেদা দিব। চাৰ্কাছৰ জন্তুবোৰক যে নানা ৰকম খেলা শিকোৱা হয় সেইবোৰ আৰু আন একো নহয়, মাথোন সিহঁতক খেলা শিকোৱা ওস্তাদৰ

নিজৰ জ্ঞানেৰে কিছুমান অংশ সেই জন্তবোৰৰ মূৰত সুমাই দিয়া হয়। সেই জন্তবোৰে সিহঁতৰ ক্ষুদ্ৰ জ্ঞানেৰে যিমানকেৰা সম্ভৱ সিমান পৰিমাণে বুজিছে যে ওস্তাদে তাৰ নিজৰ জ্ঞানেৰে কি খিচাৰে। আকৌ ওস্তাদেও বুজিছে যে জন্তবোৰে তাৰ ইচ্ছা বুজিব পাৰিছে। এইখিনিত সেই ওস্তাদৰ জ্ঞান আৰু পশু-পক্ষীৰ জ্ঞান সমধৰ্মী বা একে হৈ গল। সকলো জ্ঞান যে সমধৰ্মী এই নিয়মৰ বলত আজি মানুহে বান্দৰৰ ভাষা, পক্ষীৰ ভাষা প্ৰভৃতি আৱিষ্কাৰ কৰিবলৈ উদ্যত হৈছে।

জ্ঞান সকলো অৱস্থাতে সমধৰ্মী দেখি জ্ঞানৰ সূত্ৰেৰে আমি ঈশ্বৰেৰে সৈতে সমধৰ্মী হ'ব পাৰোঁ। আমি সেই একোটি একোটি জ্ঞানৰ টুকুৰা আৱিষ্কাৰ কৰোঁ অথবা কোনো উপায়ে লাভ কৰোঁ, তেতিয়া সেইকেৰা জ্ঞানৰ সূত্ৰেৰে ঈশ্বৰেৰে সৈতে সমধৰ্মী হৈ তেওঁক জানিব পাৰোঁ। প্ৰতি মুহূৰ্ত্ততেই যেতিয়া আমি কোনো এক বিষয়ত জ্ঞান লাভ কৰিছোঁ, তেতিয়া প্ৰতি মুহূৰ্ত্ততে সেইকেৰা জ্ঞানৰ সূত্ৰত ঈশ্বৰৰ লগত আমাৰ যোগ সাধন হৈছে, আৰু আমি তেওঁক জানিব পাৰিছোঁ। ঈশ্বৰে সকলো সময়তে সকলো অৱস্থাতে আমাক জানিলেও, আমি প্ৰতিমুহূৰ্ত্ততে জ্ঞান লাভৰ সময়ত তেওঁৰে সৈতে যথাপৰিমাণে মিলি যাওঁ।

আমি যিমান ভাল বিষয় জানিম, ভাল বিষয় ভাবিম, ঈশ্বৰক সিমান সোনকালে আমি আমাৰ হৃদয়ৰ ভিতৰত লাভ কৰিম আৰু তেওঁৰ ইচ্ছাৰে সৈতে আমাৰ ইচ্ছা এক হৈ যাব। সেইদেখি পূৰণি ঋষিসকলে সেই দূৰ অতীতৰ পৰা আমাক এই উপদেশ দিছে যে আমি যে অকলশৰীয়া হৈ আছোঁ এই কথা যেন কেতিয়াও মনলৈ নানো। ঈশ্বৰ আমাৰ লগে লগে আছে, আমাৰ সকলোকে তেওঁ জানে। কেতিয়াও বেয়া বিষয়ক মনত ঠাই নিদিবা। নিশ্চয় জানিবা যে ঈশ্বৰৰ জ্ঞানে তোমালোকৰ মনৰ কথা সদায় জানিছে। তেওঁৰ চকুৰ আৰ হ'ব নোৱাৰা আৰু হ'বলৈ নেযাবাও। তেওঁ "সত্যং জ্ঞানং'।

তৃতীয় কথা

ঈশ্বৰ অনন্ত (অনন্তং ব্ৰহ্ম)

ঈশ্বৰৰ বাহিৰে আন সকলোবোৰেই শান্ত বা সীমাবদ্ধ। ঈশ্বৰ অনন্ত অসীম। ঈশ্বৰৰ অন্ত নাই, শেষ নাই, কোনো বিষয়তে তেওঁৰ সীমা নাই। তুমি, মই, জীৱজন্তু, গছ-গজালি, সোণ-ৰূপ প্ৰভৃতি যি জগৎচৰাচৰত আছে সকলো শান্ত, সকলোৰে এটা শেহ আছে। এই নিমিত্তেই আমাৰ মৰম-মায়া প্ৰভৃতি মনৰ ভাৱ, আমাৰ জ্ঞান-বিদ্যা আদি সকলোবোৰ শান্ত, সীমাবদ্ধ।

জগৎচৰাচৰ এনেভাৱে গঠিত যে ইয়াৰ সকলো ঠাইৰে সীমাবদ্ধ। যি আছে সি এডোখৰ নহয় এডোখৰ ঠাই অধিকাৰ কৰি আছে আৰু থাকিবই। সেইদেখি সেই বস্তু সেইকেৰা ঠাইৰে সীমাবদ্ধ। ইমান যে প্ৰকাণ্ড সূৰ্য্য, পৃথিৱী আৰু গ্ৰহ-নক্ষত্ৰবোৰ, এই আটাইবোৰ নিজৰ নিজৰ থাকিবৰ ঠাইৰ দ্বাৰাই সীমাবদ্ধ, অৰ্থাৎ এইবোৰে যিকেৰা ঠাই লৈ আছে তাতকৈ সৰহকৈ ঠাই লৈ থকা নাই আৰু সেইবোৰ থাকিবৰ ঠাইৰ বাহিৰে আৰু সৰহ ঠাই পৰি আছে।

জগৎচৰাচৰৰ সকলো যেনেকৈ ঠাইৰে সীমাবদ্ধ, তেনেকৈ সকলো কালেৰেও সীমাবদ্ধ। যি সময়ত যি ঘটনাটি হয়, সেই সময়তেই সেই ঘটনাটি হৈ গ'ল ; যি সময়ত যি বস্তুটি যি ঠাইত থাকিল, সেই সময়তেই সেই বস্তুটি সেই ঠাইত থাকিল ; যি সময়ত মই যি জ্ঞান পালোঁ বা যিটো ভাবক মনত ঠাই দিলোঁ, সেই সময়তেই সেই জ্ঞান আৰু সেই ভাৱ মোৰ মনত আছিল, আন সময়ত নাছিল। আমি যে একেসময়তে বেলেগ বিষয়ে জানিব নোৱাৰো বা ভাবিব নোৱাৰোঁ, সেইটোৱেই আমাৰ ভাৱজ্ঞান প্ৰভৃতি সীমাবদ্ধ হোৱাৰ এটি প্ৰমাণ।

এতিয়া তোমালোকে বুজিব পাৰিছা বোধকৰোঁ যে জগতত যিয়েই আছে, আছিল, বা পিছত থাকিব, সকলোৰে এটা সীমা আছে, আছিল আৰু থাকিব।

একেআষাৰে কবলৈ গলে, জগতৰ সকলো শান্ত অৰ্থাৎ সীমাবদ্ধ। আমি এইদৰে সীমাবদ্ধ দেখি তাৰ বিপৰীতটো বুজিব পাৰিছো যে সীমাবদ্ধৰ অতীত আৰু কিবা আছে। কাৰণ আমি দেখিবলৈ পাইছোঁ, জানিবলৈ পাইছোঁ যে আমাৰ সীমাৰ বাহিৰে, আমাৰ দৃষ্টিবলয়ৰ বাহিৰেও আৰু অনেক ঠাই আছে, আমাৰ জ্ঞানৰ সীমাৰ বাহিৰেও আৰু অনেক জ্ঞান আছে, আৰু আমাৰ জীৱনকালৰ বাহিৰেও আৰু অনেক সময় আছিল আৰু আছে।

আগেয়ে ঠাইৰ বিষয়ে ধৰা। মই লেখা এই কাগজটোৱে যিমান ঠাই জুৰি আছে, তাৰ বাহিৰেওতো আলেমান ঠাই পৰি আছে। আকৌ সেই অতিৰিক্ত ঠাইৰ এডোখৰত এই মেজখন আছে। ইয়াৰ বাহিৰেওতো অনেক ঠাই পৰি আছে। সেই অতিৰিক্ত ঠাইৰ এডোখৰত এই ঘৰ-বাৰী আছে আৰু তাৰ

বাহিৰেও ভালেমান ঠাই পৰি আছে। এইদৰে চাওঁতে চাওঁতে দেখিবা যে এই পৃথিৱীত যি বস্তুৰেই যিমান ঠাই জুৰি থাকক, সেই ঠাইৰ বাহিৰেও অতিৰিক্ত আৰু অনেক ঠাই জুৰি পৰি আছে। পৃথিৱীৰ প্ৰত্যেক ঠাই যদিও এটা নহয় এটা বস্তুৱে চাক খাই বায়, তেনেহলেও দেখিবা যে পৃথিৱী থাকিবৰ ঠাইৰ বাহিৰেও অনেক অনেক অতিৰিক্ত ঠাই পৰি আছে। সেই অতিৰিক্ত ঠাইত সূৰ্য্য-চন্দ্ৰ, গ্ৰহ-নক্ষত্ৰবোৰ আছে। এইদৰে ভাবি চালে দেখিবা যে যত বস্তুৰেই এই জগৎচৰাচৰত থাকক, তাৰো বাহিৰে আৰু অনেক অতিৰিক্ত ঠাই পৰি আছে। নহলে সেইবোৰ বস্তু কেনেকৈ থাকিব?

এই ঠাই ক'ত? আকাশত। আকাশ মানে আন একো নহয়, মাথোন এটি সুবিস্তীৰ্ণ ঠাই—সি ইমান প্ৰকাণ্ড যে আমি কল্পনালৈকো আনিব নোৱাৰোঁ কিমান ডাঙৰ। যত বস্তু এই জগতত আছিল, আছে বা থাকিব, সকলোবোৰ এই আকাশৰ মাজতে এঠাইত নহয় এঠাইত আছিল, আছে বা থাকিব; আকাশ এৰি কোনো বস্তুৰেই থাকিব নোৱাৰে। আমি স্থানত সীমাবদ্ধ দেখি তাৰ বিপৰীতে এই আকাশৰ পৰাই ঠাইৰ বিষয়ে অনন্তৰ আভাস পাওঁ। আকাশ অনন্ত দেখিয়েই জগতৰ সকলো বস্তু তাত ধৰে। এই নিমিত্তে কোনো কোনো ঋষিয়ে ঈশ্বৰৰ অনন্ত ভাব বুজাবৰ নিমিত্তে তেওঁৰ এটি নাম দিছে আকাশ।

কিন্তু এই আকাশ সঁচাসঁচিকৈ অনন্ত বা সীমাহীন নে? নহয়। আমি আকাশক ভাগ কৰি কব পাৰোঁ যে এইখিনি ঠাই এইদৰে ঠাইক সীমাবদ্ধ কৰিব পৰা ক্ষমতাৰ পৰাই বুজিব পাৰি যে আমি গোটেই আকাশক ঠিক সীমাৰ ভিতৰত দেখিবলৈ নেপালেও, ধৰিব নোৱাৰিলেও আকাশৰ এটা নহয় এটা সীমা আছে। কিন্তু সেই সীমা তোমাৰ মোৰ ধৰিবৰ সাধ্য নাই। সেই সীমা জানিবৰ নিমিত্তে অনন্ত আকাশতকৈও অনন্ত এজন জ্ঞানৱন্ত পুৰুষক লাগে। সেই অনন্ত পুৰুষেই হৈছে অনন্ত ঈশ্বৰ।

এতিয়া আমি যেনেকৈ দেখিলোঁ যে স্থানৰ বিষয়ত ঈশ্বৰ অনন্ত, সেইদৰে তেওঁ কালৰ বিষয়তো অনন্ত। আগেয়ে কৈ আহিছো যে জগৎচৰাচৰৰ সকলো যেনেকৈ স্থানত সীমাবদ্ধ, সেইদৰে কালতো সীমাবদ্ধ। যি সময়ত যি ঘটনাটি হয়, যি জ্ঞান লাভ হয় বা যি ভাব মনত উদয় হয়, সেই সময়তেই সেইটি হৈ গল। কিন্তু এইটো আমি জানো যে সেই সময়ৰ আগেয়েও অনেক সময় গ'ল, আৰু তাৰ পিছতো অনেক সময় থাকিব। তোমালোকে এইটো বহিয়াকৈ জানা যে সেই অতীত কালত কত লক্ষ লক্ষ ঘটনা ঘটি গৈছে আৰু সেইদেখি তোমালোকে এইটোও বহিয়াকৈ মনত ভাবি পাৰা যে ভৱিষ্যতো আৰু কত লক্ষ লক্ষ ঘটনা ঘটিব। এইবোৰ ঘটনা ক'ত হল, হৈছে, বা হব? কালত। এই কাল ইমান বহল যে ইয়াৰ গোটেইটোক আমি আমাৰ কল্পনাতো ঠাই দিব নোৱাৰোঁ। যি ঘটনাই ঘটিছে বা ঘটিব, কালৰ হাত এৰাই সি কেতিয়াও ঘটিব নোৱাৰে। যিমানদূৰ অতীত আমি আমাৰ কল্পনালৈ আনিব পাৰোঁ, তাৰো পিছত আৰু কত অতীত কাল পৰি আছে। যতদূৰ ভৱিষ্যৎ কাল আমি কল্পনালৈ আনিব পাৰোঁ তাৰ পিছতো কত আৰু ভৱিষ্যৎ কাল পৰি থাকিব। আমি কালত সীমাবদ্ধ দেখিয়েই তাৰ বিপৰীতে এই কালৰ পৰাই আৰু একালেদি অনন্তৰ আভাস পাওঁ। কাল অনন্ত দেখিয়েই কালৰ সকলো ঘটনা তাত জোৰে।

কিন্তু এই কালো নিভাঁজ অনন্ত বা সীমাহীন নহয়। সূৰ্য্যোদয়ৰ পৰাই হওক বা আন যি উপায়েৰেই হওক, আমি কালক ভাগ কৰি কব পাৰিছোঁ যে এইখিনি কাল, এক ঘণ্টা, এদিন ইত্যাদি। এইদৰে কালক সীমাবদ্ধ কৰিবৰ ক্ষমতাৰ পৰাই বুজিব পাৰিছোঁ যে আমি গোটেই কালক মনত ধাৰণা কৰিব নোৱাৰিলেও কালৰ এটা নহয় এটা সীমা আছে। আকাশেই বোলা, আৰু কালেই বোলা, সেই দুটা নিভাঁজ সীমাহীন হোৱাহেতেন আমাৰ সীমাবদ্ধ ভাগৰ ভিতৰলৈ আহিব নোৱাৰিলেহেতেন। কিন্তু কালৰ সীমা ধৰা তোমাৰ মোৰ সাধ্যৰ অতীত। সেই কালক জানিবৰ নিমিত্তে অনন্ত কালতকৈও অনন্ত এজন জ্ঞানৱন্ত পুৰুষক লাগে। সেই অনন্ত পুৰুষেই অনন্ত ঈশ্বৰ। এই কালৰ পৰাই সেই দেখি ধৰ্মপ্ৰাণ মহাত্মাসকলে ঈশ্বৰৰ আৰু এটি নাম দিছে মহাকাল।

ঈশ্বৰ যেতিয়া স্থানত অনন্ত আৰু কালত অনন্ত, সেইটো বুজিবলৈ বোধকৰোঁ বেছি কষ্ট নহব। ভাব জ্ঞান প্ৰভৃতি স্থানেৰে সৈতে সম্পৰ্কৰহিত যি ঘটনা আছে, আগেয়েই কৈ আহিছো যে সেইবোৰ কাল বা সময়ক অৱলম্বন কৰি আছে। আমি জানিব পাৰোঁ, অমুক সময়ত আমাৰ মনলৈ এই ভাব আহিল, অমুক সময়ত অমুক বিষয়ে জ্ঞান পালোঁ। এইদৰে আমাৰ জ্ঞানত আমি সময়ক এৰি কোনো ভাব জ্ঞান বা ঘটনাৰ বিষয়ে ভাবিবই নোৱাৰো আৰু সঁচাসঁচিকৈয়ে আমি দেখিবলৈ পাওঁ যে জগতৰ প্ৰত্যেক ঘটনাই এক নহয় এক ৰকমে স্থান বা কালক অৱলম্বন কৰি থাকে। ঈশ্বৰ যেতিয়া সেই স্থান আৰু কাল সম্বন্ধে অনন্ত আৰু তেওঁ যেতিয়া জ্ঞানময়, তেনেহলে তেওঁ নিশ্চয় ভাব জ্ঞান প্ৰভৃতি বিষয়তো অনন্ত।

আমি ঈশ্বৰৰ অনন্ত তত্ত্বৰ বিষয়ে অনেক ডাঙৰ ডাঙৰ কথা কওঁ৷ হয়, কিন্তু আমাৰ সীমাবদ্ধ জ্ঞানেৰে সেইটো ধাৰণা কৰিব পাৰোঁনে ? ঈশ্বৰৰ অনন্তত্ব আমি সম্পূৰ্ণ ধাৰণা কৰিব নোৱাৰিলেও কৰিব-পূৰ্ণ ভাষাৰে এইটো ক'ব পাৰি যে আমি সময়ে সময়ে আমাৰ সীমাবদ্ধ জ্ঞানেৰে ঈশ্বৰৰ অনন্ত ভাৱৰ কাষৰকেৰি চুই আহিব পাৰোঁ৷ । আমি সীমাবদ্ধ দেখিয়েই তাৰ বিপৰীতে জানিব পাৰোঁ৷ যে এজন অনন্ত মহাপুৰুষ আছে যাক অৱলম্বন কৰি আমি আছোঁ, আকাশ আছে, কাল আছে। আকৌ জ্ঞানেৰে আমি এইদৰে জানিব পাৰিলেও সকলো সময়তে আমি তেওঁক অনুভৱ কৰিব নোৱাৰোঁ৷ । যেতিয়া সংসাৰৰ সৰুসুৰা ঘটনা, সৰুসুৰা কথাৰ পৰা আমি আমাৰ জ্ঞানক একেবাৰে নি তেওঁৰ জ্ঞানত যুক্ত কৰি দিবলৈ উদ্যত হওঁ, আমাৰ ইচ্ছাক তেওঁৰ ইচ্ছাৰে সৈতে যোগ কৰিব খোজোঁ, তেতিয়াই খন্তেকীয়া বিজুলী প্ৰকাশৰ নিচিনাকৈ খন্তেকলৈ তেওঁক অনুভৱ কৰোঁ৷ ।

আমি এই সংসাৰত যি অলপ জ্ঞান ভাৱ পাইছোঁ৷ সেই সকলোবোৰ সেই জ্ঞান আৰু ভাৱৰ ভঁৰালৰ পৰাই পাইছোঁ৷ । কিন্তু সেইবুলি তোমালোকে এনে নাভাবিবা যে সেই অক্ষয় ভঁৰালৰ কোনো ক্ষয় হল বা কম হৈ গ'ল । ঈশ্বৰে আশ্চৰ্য্য নিয়ম কৰি দিছে যে জ্ঞান, ভাৱ প্ৰভৃতিৰ ভাগ কাকো দিলেও তাৰ একো নকমে । তুমি জানা যে দুয়ে দুয়ে চাৰি হয় । তোমাৰ এই জ্ঞানফেৰা আনক দিলে তাৰ অলপো কমে নে ? জীৱ-জন্তুৰ ওপৰত তোমাৰ দয়া মায়া দিয়া, সেই বুলি তোমাৰ দয়া মায়াৰ কিবা অলপো কমে নে ? সেইদৰে সেই অনন্ত পৰমেশ্বৰে তেওঁৰ জ্ঞানৰ ভঁৰাল, ভাৱৰ ভঁৰাল জগতলৈ মুকলি কৰি দিছে ; কিন্তু সেইবুলি তেওঁৰ অনন্তত্বৰ কোনো প্ৰকাৰ অভাৱ নঘটে । একে আষাৰে কবলৈ গলে, তেওঁৰ কোনো প্ৰকাৰ ক্ষয় নাই ।

তেওঁ স্বপ্ৰকাশ । তেওঁৰ প্ৰকাশ জগতৰ প্ৰতি অণুত । সেই প্ৰকাশ অনুভৱ কৰিবৰ নিমিত্তে আমাৰ ইচ্ছা হব লাগে । আমি উপযুক্ত উপায় অৱলম্বন কৰিব লাগে । দুপৰীয়া যেতিয়া বেলি মূৰৰ ওপৰত দকদক্ কৰে জ্বলি থাকে, সেই সময়ত যদি আমাৰ গোৱা খোঁটালিটোৰ দুৱাৰ মাৰি তাক গোটেই এন্ধাৰ কৰি থই থাকি, পিছত কওঁ যে মই সূৰ্য্য দেখা নাই, বেলি ওলোৱা নাই, সেইটো কথা কেনে হাস্যাস্পদ হব ? যি ঈশ্বৰৰ প্ৰকাশ সূৰ্য্যত, যি ঈশ্বৰৰ প্ৰকাশ অলেখ গ্ৰহ নক্ষত্ৰত, যি ঈশ্বৰৰ প্ৰকাশ জগতৰ প্ৰাণৰাজ্যত, যি ঈশ্বৰৰ প্ৰকাশ মানুহৰ জ্ঞান-ৰাজ্যত, যি ঈশ্বৰৰ প্ৰকাশ প্ৰতি অণুত, প্ৰতিনিমিষত, সেই ঈশ্বৰক আমি আমাৰ মনৰ অন্তৰত হৃদয়ত অনুভৱ কৰিব নোৱাৰিলেই তেওঁৰ স্বপ্ৰকাশত্বত সন্দেহ প্ৰকাশ কৰাটো তাতকৈও হাস্যাস্পদ নহয় নে ?

তোমালোকে ভালকৈ নিজৰ নিজৰ হৃদয়ৰ ফালে চোৱাঁ, দেখিবা যে তাত সেই পুৰাতন পৰমেশ্বৰ বিৰাজমান আছে । কিন্তু তেওঁক যিমান দেখিবলৈ পাবা, সিমান তেওঁক আৰু সৰহকৈ দেখিবলৈ তোমালোকৰ ইচ্ছা হব । যেতিয়া দেখোঁতে দেখোঁতে ক্ৰমে দেখিবলৈ পাবা যে তেওঁৰ অন্ত পোৱা নাই, তেতিয়া তোমালোকৰ হৃদয় স্তম্ভিত হৈ গৈ এক গভীৰ প্ৰশ্ন ওলাব "তেওঁৰ অন্ত ক'ত ? ক'ত অন্ত ?" ঋষিসকলে এই প্ৰশ্নৰ যি উত্তৰ দিছে, সেই উত্তৰতে তেতিয়া শান্তি পাবা । ঋষিসকলৰ সেই উত্তৰ হৈছে— "ওঁ সত্যং জ্ঞানমনন্তং ব্ৰহ্ম" তেওঁ সত্যস্বৰূপ, জ্ঞান-স্বৰূপ, অনন্তস্বৰূপ পৰব্ৰহ্ম । তোমালোকে এই মন্ত্ৰ হৃদয়ত কৌস্তুভ মণিৰ নিচিনাকৈ ধাৰণ কৰি অপাৰ শান্তি লাভ কৰাঁহঁক ।

চতুৰ্থ কথা

ঈশ্বৰ আনন্দময় (আনন্দ ৰূপং)

ঈশ্বৰ আনন্দৰূপে প্ৰকাশ পাইছে । তেওঁৰ বিষয়ে যেনে অলপ বিশেষভাৱে আলোচনা কৰিছে, যি ঈশ্বৰত এটিবাৰও বুৰি, তেওঁৰে সৈতে নিজক সংযুক্ত কৰি খন্তেক মাথোন তেওঁক স্পৰ্শ কৰিব পাৰিছে, তেওঁ হে কৈ গৈছে যে ঈশ্বৰ সকলো ঠাইত আৰু সকলো সময়ত নিজানন্দৰূপে প্ৰকাশ পাইছে । ঋষিসকলে তেওঁক মাথোন আনন্দৰূপ বুলি তৃপ্তি লাভ কৰা নাই ; তেওঁলোকে স্বয়ং ঈশ্বৰক আনন্দৰূপ জানি যি অনুপম আনন্দ লাভ কৰিছিল, সেই আনন্দ ধৰি ঈশ্বৰৰ আনন্দৰূপ প্ৰকাশ কৰিবলৈ গৈ কৈছে যে তেওঁ 'ৰসস্বৰূপ' । এই ৰসস্বৰূপ কথাটিত ঋষি-সকলৰ সকলো আনন্দ, সকলো প্ৰেম, হৃদয়ৰ সকলো ভাল ভাৱ যেন ঘন হৈ একেলগ হৈ প্ৰকাশ পাইছে । তোমালোকেও যদি ঈশ্বৰক একান্ত মনে জানিবৰ চেষ্টা কৰা দেখিবা যে তেওঁ স্বীয় আনন্দৰূপে, ৰসৰূপে জগতৰ সকলো ঠাইতে আৰু তোমালোকৰ হৃদয়ত চিৰবিৰাজমান হৈ আছে ।

তেওঁ আনন্দৰূপ দেখিয়েইহে জগতত ইমান আনন্দ সিঁচৰতি হৈ আছে । তোমালোক ভাই-ভনীয়ে যেতিয়া মিলি যেবাৰি ধুমুলা কৰা তেতিয়া কিমান আনন্দ পোৱা । তোমালোকৰ মাৰাই যেতিয়া নিজৰ কোলালৈ তোমালোকক মাতি নি তোমালোকৰ গাত হাত বুলাই দিয়ে, মৰম কৰে, তোমালোকৰ পিতাৰাই

যেতিয়া তোমালোকক কোনো ভাল বিষয়ে শিক্ষা দিয়ে, তেতিয়া তোমালোকৰ কত আনন্দ হয়। তোমালোকে যেতিয়া ফুটবল খেলি শৰীৰৰ স্বাস্থ্য লাভ কৰা, তেতিয়া তোমালোকৰ শৰীৰ আৰু মনলৈ কেনে এটা স্ফূৰ্ত্তি আৰু আনন্দ আহে। এই যে ইমান আনন্দ জগতত সিচৰতি হৈ আছে, ইমান আনন্দ ক'ৰ পৰা আহে? তোমালোকে ভালকৈ ভাবি চোৱাঁচোন যে ইমান আনন্দ ৰাশি আকাশৰ পৰা আপোনা আপুনি চুপ কৰে পৰিব নোৱাৰে। আমি আগেয়ে দেখি আহিছোঁ যে যি অলপ অচৰপ জ্ঞান আমি পাইছোঁ সেই আটাইবোৰ সেই ঈশ্বৰৰ জ্ঞানৰ ছাঁ মাথোন। সেইদৰে যত আনন্দ এই জগতত সিচৰতি হৈ থকা দেখোঁ, সেইবোৰ নিশ্চয়কৈ এজন মহান অখণ্ড আনন্দৰ ছাঁ। নিশ্চয় এটা মূল প্ৰস্ৰৱণ বা নিজৰা আছে যৰপৰা এই আনন্দৰাশি নামি আহি জগৎ সংসাৰক একেবাৰেই ঢাকি পেলাইছে। তোমালোকে দেখিছা যে তোমালোকৰ ঘৰৰ কাষৰ ব্ৰহ্মপুত্ৰ নৈত কত পানী,—ইমান পানী যে, তাত কিমান জাহাজ, নাও আৰু কত জীৱজন্তুৱে ঠাই পাইছে। এই পানী আপোনা আপুনি অহা নাই। সেই কত দূৰণি হিমালয় পৰ্ব্বতত সৰু এটি নিজৰা আছে। সেই নিজৰাৰ পৰা অবিশ্ৰাম পানী পৰি পৰি ইমান ডাঙৰ নৈ খনৰ সৃষ্টি হৈছে। সেইদৰে যি আনন্দই জগতক ঢাকি থৈছে, সেই আনন্দৰাশিৰও নিশ্চয় এটি মূল নিজৰা আছে। এটি ভাল গীত শুনি তোমালোক মুগ্ধ হ'লা, আনন্দত বুৰি গ'লা, ধাৰ্ম্মিকৰ ওচৰত ধৰ্ম্মৰ কথা শুনি সংসাৰৰ সৰুসুৰা কথা এৰি দি এক আশ্চৰ্য্য আনন্দ অনুভৱ কৰিলা। এটা মূল আনন্দ নাথাকিলে এই আনন্দ আমি পাওঁ কেনেকৈ? ৰামকালি মুকলি দক্ষিণৰ বতাহত বহি সন্ধ্যাৰ মহিমা উপভোগ কৰোঁতে কৰোঁতে যে অনুপম আনন্দ পোৱা, বাৰিষাৰ পিছত শৰতৰ পূৰ্ণিমাৰ জোনাক উপভোগ কৰি যি আনন্দ পোৱা এইবোৰ আনন্দ জানো আপোনা আপুনি আহে? এইবোৰ আনন্দৰ ভাব যে এটি মূল প্ৰস্ৰৱণৰ পৰা নামি আহিছে তাত অকনো সন্দেহ নাই।

সকলো আনন্দৰ মূলতে যে এটি মহান আনন্দ আছে তাৰ বিশেষ এটি প্ৰমাণ এই যে মানুহ আৰু পশু পক্ষী সকলোৰে আনন্দৰ ভিতৰত এটা সাধাৰণ ভাব দেখিবলৈ পোৱা যায়। তোকৰ সময়ত খোৱা বস্তু পালে তোমাৰো যেনেকৈ আনন্দ হয় আৰু মোৰো হয় আৰু পশুপক্ষী জীৱ জন্তুৰো সেইদৰে হয়। মই আনন্দ প্ৰকাশ কৰিলে তুমি বুজিব পাৰা, তোমাৰ আনন্দ মই বুজিব পাৰোঁ; আকৌ মানুহৰ আনন্দ পশু-পক্ষীয়েও বুজিব পাৰে আৰু পশুপক্ষীৰ আনন্দ মানুহেও বুজিব পাৰে। আকৌ চোৱাঁ শত সহস্ৰ বছৰৰ আগেয়ে কোনোৱে কোনো বিষয়ত আনন্দ প্ৰকাশ কৰি গৈছে, আজি আমি তাৰ বিৱৰণ পঢ়ি তেনেকৈ আনন্দ অনুভৱ কৰিছোঁ। এই স্বকীয়া স্বকীয়া আনন্দভাবৰ মাজত এটা মূলগত সাধাৰণ ভাব আছে দেখিয়েই আমি এইদৰে পৰস্পৰৰ আনন্দ বুজিব পাৰোঁ।

এই বিভিন্নতাৰ ভিতৰত একতা থাকে কিয়? কৰ পৰা এই একতা আহে? আগেয়ে দেখি আহিছোঁ যে ঈশ্বৰ জ্ঞানস্বৰূপ আৰু জগতৰ সমস্ত জ্ঞান সেই মহান জ্ঞানৰ পৰাই নামি আহিছে দেখিয়েই সেইবোৰৰ ভিতৰত এটা মূলগত একতা আছে; আৰু সেই একতাৰ নিমিত্তেই আমি দেশ দেশান্তৰৰ অধিবাসীসকলৰ জ্ঞানৰ মাজত সোমাব পাৰোঁ। এনে কি, গ্ৰহ গ্ৰহান্তৰৰো অধিবাসীসকলৰ কাৰ্য্য বুজিব পাৰোঁ বুলি স্পৰ্দ্ধা কৰোঁ। সেইদৰে একেজন আনন্দ স্বৰূপ পুৰুষৰ পৰা জগতৰ এই আনন্দস্ৰোত নামি আহিছে দেখিয়েই আমি সমস্ত আনন্দৰাশিৰ মাজত এটা মূলগত একতা দেখিবলৈ পাওঁ আৰু এইখিনিতে বহিয়েই কত ইংৰাজী, ফৰাচী, কত চীনা আৰু জাপানী, কত কুমেৰু আৰু সুমেৰুবাসী আৰু কত আন আন গ্ৰহ-নক্ষত্ৰবোৰৰ অধিবাসী দেৱ যক্ষ সকলোৰে আনন্দ হৃদয়ত অনুভৱ কৰিব পাৰোঁ। এই আনন্দ স্বৰূপ পুৰুষেই আমাৰ নিত্য পূজাৰ প্ৰাণাৰাম পৰমেশ্বৰ।

আনন্দ স্বৰূপ পৰমেশ্বৰ যেতিয়া আছে, তেতিয়া সংসাৰত নিৰানন্দ থাকে কিয়? সীমাৰ মাজত বাস, আৰু সীমা লৈ জন্মগ্ৰহণ কৰাই এই নিৰানন্দৰ কাৰণ। ঈশ্বৰ অনন্ত, অখণ্ড নিত্য আনন্দ তেওঁৰেই। আমি সীমাবদ্ধ, সেইদেখি আমালৈ নিত্য অখণ্ড আনন্দ আহিবই নোৱাৰে—এঠাইত নহয় এঠাইত তাৰ সীমা থাকিবই; আৰু যতে সীমা ততে আনন্দৰ অভাৱ হ'ল। আমি সীমাবদ্ধ নহৈ থাকিব নোৱাৰোঁ, সেই দেখি আমাৰ আনন্দৰ এটা নহয় এটা সীমা নাহি নোৱাৰে। ঈশ্বৰ অনন্ত দেখিয়েই আমি শান্ত। আমাৰ সীমা নাথাকিলে আমি অনন্ত ঈশ্বৰেৰে সৈতে একেবাৰে এক আৰু অভিন্ন হৈ পৰোঁহেতেন। তেনেহলে সৃষ্টিয়েই থাকিব নোৱাৰিলেহেঁতেন। আমি যেতিয়া সীমা লৈ জগতলৈ আহিছোঁ তেতিয়া আমাৰ আনন্দৰ সীমা বা অভাৱ আছেই জানিব লাগিব। এই যে মুকলি আকাশ, এই আকাশো সেই অনন্ত পুৰুষৰ ওচৰত সীমাবদ্ধ বুলি আগেয়ে কৈ আহিছোঁ; সেইদেখি এই আকাশখনো মুখ সময়ে সময়ে মেঘেৰে ঢকা দেখিবলৈ পাওঁ। মেঘ আহিল, ধুমুহা হ'ল, তেতিয়া আকৌ মুকলি আকাশ মুকলি আকাশেই হ'ল। এই যে মুক্ত কাল, এই আকাশ সেই অনন্ত পুৰুষৰ ওচৰত সীমাবদ্ধ

বুলি আগেয়ে কৈ আহিছোঁ। সেই দেখি এই কালৰো মুখ সময়ে সময়ে মেঘাচ্ছন্ন দেখিবলৈ পাওঁ। যুদ্ধৰ মেঘ আহে, তেজৰ বৰষুণ পৰি যায়, তেতিয়া আকৌ মুক্তকাল মুক্তকালেই থাকি যায়।

তেনেহলে আমি দেখিছোঁ যে নিৰানন্দ দূৰ কৰিব লাগিলে আমাৰ আনন্দৰ সীমা ভাঙিব লাগিব আৰু আনন্দ স্বৰূপ ঈশ্বৰৰ বাটত আগবাঢ়িব লাগিব। যেতিয়া আমি সীমা লৈ ওপজাৰ বাবেই আমাৰ আনন্দলৈকো সীমা আহিছে, তেতিয়া আন আন বিষয়ৰে সীমা ভাঙিব লাগিব। আমি সীমা দুবিধ দেখিবলৈ পাওঁ—এবিধ ঈশ্বৰ নিৰ্দ্দিষ্ট আৰু দ্বিতীয় বিধ উত্তৰাধিকাৰ সূত্ৰত পোৱা আৰু স্বৰচিত। স্থান আৰু কালৰ সীমা ঈশ্বৰ নিৰ্দ্দিষ্ট। একেটা বস্তুৰে একে সময়তে এডোখৰৰ বেছি ঠাই অধিকাৰ কৰিব নোৱাৰে;—এই হল স্থানৰ সীমা। একে কালতে এটাৰ বেছি ভাবনা মনত ঠাই দিব নোৱাৰি এই হ'ল কালৰ সীমা। আৰু যি মুহূৰ্ত্ত গুচি যায় সেই মুহূৰ্ত্ত আৰু উভতি নাহে; এই কালৰ সীমা। এইবোৰ ঈশ্বৰ নিৰ্দ্দিষ্ট সীমা ভাঙিবৰ আৱশ্যক নহয় বৰং এইবোৰ সীমা অৱলম্বন কৰিলে আনন্দৰ বাটত সহজে আগবঢ়া যায়। দৃষ্টান্তস্বৰূপে কব পাৰি যে কালৰ যি দুটা সীমাৰ কথা কৈ আহিছোঁ, তাৰ ভিতৰত প্ৰথমটোৰ ফলত একাগ্ৰতা মনোযোগ আৰু ঈশ্বৰত একনিষ্ঠা প্ৰভৃতি পোৱা যায়। ঈশ্বৰে এনে নিয়ম কৰি দিছে যে তেওঁৰ নিৰ্দ্দিষ্ট সীমা ঠিক ঠিক অনুসৰণ কৰিলে সেই সীমা ক্ৰমে বহল হৈ যায় আৰু আমাক মুক্তিৰ সোৱাদ দি দি ক্ৰমে তেওঁৰে মুক্ত পথৰ পথিক কৰি দিয়ে। সূৰ্য্য যেতিয়া নিজৰ তাপত বেছি তপত হৈ উঠে তেতিয়া সেই তাপৰ ফলত সূৰ্য্যৰ ভিতৰৰপৰা কিছুমান বস্তু বাহিৰলৈ ওলাই আহি মেঘৰ সৃষ্টি কৰে, সেই মেঘৰপৰাই পানী ওলাই সূৰ্য্যৰ ওপৰডোখৰ কিছুমান চেঁচা কৰে। সেইদৰে ক্ৰমাগত বেছি জ্ঞানলাভৰ ইচ্ছা প্ৰভৃতি ঈশ্বৰপ্ৰদত্ত সীমাৰ অনুসৰণ কৰোঁতে কৰোঁতে যেতিয়া সেই সীমা ভাঙি তেওঁৰ ওচৰলৈ যাবৰ ইচ্ছা প্ৰবল হৈ উঠে আৰু সীমাত বাধা পাই মানুহ খন্তেকলৈ নিৰানন্দত মুহ্যমান হবগৈ ধৰে, তেতিয়া আমাৰ হৃদয়ৰ পৰা এক তেজ ওলাই ঈশ্বৰৰ অসীম ভাবৰ ফালে ধাবিত হয়। ঈশ্বৰেও তেতিয়া নিজৰ কৰুণা বৰ্ষণ কৰি সেই আগৰ সীমা কৰুণাৰ সোঁতেৰে উটাই দি আমাৰ বিচৰণ ক্ষেত্ৰ বহলাই দিয়ে আৰু নিৰানন্দ দূৰ কৰি হৃদয়ক এক অপূৰ্ব্ব আনন্দ-সাগৰেৰে শীতল কৰে।

কিন্তু সংসাৰত যি ভাবক দুখ কষ্ট বা নিৰানন্দ বোলোঁ, তাৰ কাৰণ উত্তৰাধিকাৰসূত্ৰত পোৱা বা স্বৰচিত সীমাৰ সঙ্কীৰ্ণতা। উত্তৰাধিকাৰসূত্ৰত পোৱা সীমাৰ এটি দৃষ্টান্ত দিওঁ। ধৰোঁ, যে কোনো লোক মাক-বাপেকৰ দোষত খকুৱা হৈছে। আহাৰৰ বিষয়ে ঈশ্বৰ-নিৰ্দ্দিষ্ট সীমা এই যে ভোকত আহাৰ কৰিলে শৰীৰ সুস্থ হয়, মনলৈ স্ফূৰ্ত্তি আহে আৰু এটি আনন্দৰ ভাৱ পাওঁহঁক। কিন্তু খকুৱা মানুহে যাখোন খাবলৈহে বিচাৰে, ভোক আভোক একো নাজানে, কেৱল খাবলৈ বিচাৰে। সি যাখোন খোৱাৰ সঙ্কীৰ্ণ সীমাৰ ভিতৰত বাস কৰে, তাৰ বাহিৰলৈ যাব নোৱাৰে। সেই দেখি খাবলৈ নাপালে তাৰ বৰ কষ্ট হয়, নিৰানন্দ হয়।

স্বৰচিত সীমালৈকো যথেষ্ট নিৰানন্দ আহে। সুন্দৰ বস্তুৰ সৌন্দৰ্য্য দেখি আমাৰ ভাল লাগে; এইফেৰা হল ঈশ্বৰ নিৰ্দ্দিষ্ট সীমা। কিন্তু যদি সেই সৌন্দৰ্য্যপ্ৰিয়তাক বিকৃত কৰি কেৱল বাহিৰৰ সৌন্দৰ্য্যৰ পিছত বলিয়া হওঁ, আৰু সেই নিমিত্তে লোকৰ কোনো সুন্দৰ বস্তু দেখি আত্মসাৎ কৰোঁ, তেনেহলেই এটা লোভৰ সীমা ৰচনা কৰিলোঁ। সেই লোভৰ ফলত হয়তো শাস্তি পাব পাৰোঁ, আৰু কাজে কাজেই নিৰানন্দ আহিব পাৰে। শাস্তি নাপালেও যে চুৰি ধৰা পৰিবৰ ভয় সেই ভয়েই লুভীয়াৰ যথেষ্ট শাস্তি। অনেকবিধ স্বৰচিত বা উত্তৰাধিকাৰ প্ৰাপ্ত সীমাই আমাক বৰ কষ্ট দিয়ে। মোটামুটিকৈ সেইবোৰক ছয় শ্ৰেণীত ভাগ কৰিব পাৰি। কাম, ক্ৰোধ, লোভ মোহ, মদ আৰু মাৎসৰ্য্য। এই ছটা সীমাৰ পৰা আমি ইমান কষ্ট পাওঁ যে আমি ইহঁতক ছয় ৰিপু বোলোঁ। অনেক সময়ত আমি নিজক স্বৰচিত সীমাৰ ভিতৰত সুমাই, খোৱা বস্তুৰ লোভত কুন্দাত পৰা এন্দুৰৰ দৰে বৰ কষ্ট পাওঁ আৰু তাৰ ফলত কেতিয়াবা কেতিয়াবা জীৱনৰ আশাও এৰিব লগীয়াত পৰোঁ। আমি আমাৰ বিচৰণৰ সীমা যিমান সঙ্কীৰ্ণ কৰিম সিমান জীৱনৰ বাটৰপৰা মৃত্যুৰ বাটলৈ নামিম। আমি মানুহ। আমি ইচ্ছা কৰিলে সঙ্কীৰ্ণ সীমা নিৰ্ম্মূল কৰিব পাৰোঁ। এই দেখি আমি নিৰানন্দ-সাগৰত বুৰি হতাশ হওঁ কিয়? ভেটা ভাঙি অনন্তৰ বাটত আগবাঢ়ো আহাঁ।

ওপৰত যিবোৰ কথা কলোঁ, আশাকৰোঁ তাৰপৰা অন্ততঃ এই ফেৰাও বুজিছা যে ঈশ্বৰক পাবলৈ হলে, নিৰানন্দক দূৰ কৰিবৰ হলে, ভগৱানৰ আনন্দ স্বৰূপ বুজিবলৈ গলে, ছটা ৰিপুৰেই বান্ধোন ভাঙি দিব লাগিব। কি উত্তৰাধিকাৰ সূত্ৰত পোৱা, কি স্বৰচিত উভয় প্ৰকাৰৰ সীমাবোৰকে নিৰ্ম্মূল কৰিব লাগিব। ঈশ্বৰ প্ৰদত্ত সীমাবোৰৰ যি বাধা পোৱা যায় সেই বাধাই আমাক অনন্তৰ বাটত আগবঢ়াই দিয়ে।

ঈশ্বৰ আনন্দস্বৰূপ এই কথা আমি যেতিয়া জানিব পাৰিছোঁ, তেতিয়া কিয় আমি আমাৰ হিয়ালৈ কোনো প্ৰকাৰৰ দুখ শোক নিৰানন্দ আহিবলৈ দিম?

ঋষিসকলেৰে সৈতে আমিও একপ্ৰাণ হৈ মুক্তকণ্ঠে ঘোষণা কৰিম যে সেই অভয় দাতা পৰমেশ্বৰৰ আনন্দ যি জানিছে তেওঁ কেতিয়াও ভয় নাপায় আৰু কোনেও তেওঁক ভয় দেখুৱাব নোৱাৰে। নিৰানন্দ তেওঁৰ ওচৰৰ পৰা দূৰৈৰে পলায়। তোমালোকৰ প্ৰতি মোৰ এই উপদেশ যে তোমালোকে সেই অনন্ত আনন্দ পৰমেশ্বৰক কেতিয়াও নেৰিবা। তেওঁক প্ৰাণৰ একমাত্ৰ আৰাম, জীৱনৰ একমাত্ৰ বন্ধু জানি হৃদয়ত ধৰি ৰাখাঁ আৰু ঋষিসকলেৰে সৈতে সমস্বৰে বেদ মন্ত্ৰ মাতা যে তেওঁ ৰসস্বৰূপ—"ৰসো বৈসঃ"।

পঞ্চম কথা

ঈশ্বৰ অমৃত (অমৃতং যদ্বিভাতি)

ঈশ্বৰ অমৃত। তেওঁ মৃত্যুৰ অতীত, মৃত্যুৱে তেওঁক ছুব নোৱাৰে। যাৰ জন্ম আছে তাৰে মৃত্যু আছে, যাৰ জন্ম নাই তাৰ মৃত্যুও নাই। ঈশ্বৰ অনন্ত। তেওঁৰ যেতিয়া আদি নাই, অন্ত নাই, তেওঁৰ জন্মই বা কেনেকৈ সম্ভৱ হয়, আৰু তেওঁৰ মৃত্যুৱেই বা কেনেকৈ হয়? ঈশ্বৰে নিজৰ অনন্ত প্ৰকৃতিৰ ছাঁ যি দুটি বস্তু বিশেষভাৱে ৰাখি থৈছে সেই দুটি বস্তুতেই এই সত্যৰ বিশেষ চিনাকি পাওঁ যে, যাৰ জন্ম নাই তাৰ মৃত্যুও নাই। সেই দুটি বস্তু হৈছে স্থান আৰু কাল। এই যে অসীম স্থান পৰি আছে, স্থানৰ আদিয়েই বা ক'ত আৰু অন্তই বা ক'ত? এই যে অসীম কাল পৰি আছে, এই কালৰ আদিয়েই বা ক'ত, অন্তই বা ক'ত? ইয়াৰ জন্মই বা কেতিয়া মৃত্যুৱেই বা কেতিয়া?

আমি কাক মৃত্যু বোলোঁ? যি প্ৰাণ আগেয়ে আছিল, সেই প্ৰাণৰ অভাৱকেইতো আমি সাধাৰণতে মৃত্যু বোলোঁ। আমি এটা চাকি লগালোঁ, চাকিটো বতাহত নুমাই গ'ল। তেতিয়া আমি কওঁ যে চাকিটো নুমাই গ'ল। যদিও ধৰিবলৈ গলে চাকিটোৰ পোহৰটোৰে মৃত্যু ঘটিল। কিন্তু যদি কোনো প্ৰাণীয়ে, সেই প্ৰাণী অনুবীক্ষণেৰে দেখা পোৱা জীৱাণুৰ পৰা মানুহলৈকে যি প্ৰাণীয়েই হওক, প্ৰাণ ত্যাগ কৰে, তেনেহলেই আমি কওঁ যে সেই প্ৰাণীটো মৰি গ'ল। এটা শিল ভাঙি পেলালোঁ, কোনেও নকয় যে শিলটো মৰি গ'ল। কিন্তু এজোপা গছ কাটি পেলালোঁ, যদি সেই কটা গছ জোপাৰ পৰা কোনো পাত ফুল নোলায়, তেন্তে কয় যে গছজোপা মৰি গ'ল, তাৰ প্ৰাণৰ অভাৱ হ'ল। আৰু যদি সেই কটা গছজোপাৰ পৰা পাত ফুল ওলায়, তেন্তে কয় যে গছজোপা তেতিয়াও জীয়াই আছে। তেনেহলেই দেখা গ'ল যে প্ৰাণৰ অভাৱকেই আমি সাধাৰণতে মৃত্যু বোলোঁ।

জগতত আমি যি প্ৰাণৰ খেলা দেখিবলৈ পাওঁ, মৃত্যু বা আন কোনো অৱস্থাত সেই প্ৰাণৰ অভাৱ হয় নে নহয়? প্ৰাণটো কি? প্ৰাণ একপ্ৰকাৰ শক্তি। সেই শক্তিৰে প্ৰাণীমাত্ৰেই আহাৰ গোটায়, আহাৰ জীন নিয়ায়, খেমালি কৰে, কণ প্ৰভৃতি নতুন প্ৰাণৰ জন্মদান কৰে।

এতিয়া বৰ বৰ পণ্ডিতসকলে একেবাৰে নিশ্চয়কৈ ঠিক কৰিছে যে কোনো শক্তিৰে বিনাশ নাই অৰ্থাৎ কোনো শক্তিয়েই একেবাৰে মৰিব নোৱাৰে। শক্তিৰ পৰিবৰ্ত্তন হ'ব পাৰে অৰ্থাৎ এক শক্তিয়ে নিজৰ আকাৰ আৰু স্বভাৱ এৰি আন আকাৰ আৰু স্বভাৱ লব পাৰে। ধৰা, তুমি দহমাত্ৰা বিদ্যুৎ শক্তি এটা চিচাত বন্ধ কৰি ৰাখিছা। নাগমাটি বা আনকোনো বস্তু, যি বস্তু জুৰে পোৰে এনে বস্তুত সেই দহমাত্ৰা বিজুলী শক্তি এৰি দিলা। তাৰ ফলত সেই বস্তুটো জলি উঠিল আৰু তাৰপৰা এশমাত্ৰা উত্তাপ পোৱা গল। তেনেহলে এই হল যে দহমাত্ৰা বিজুলীশক্তি একেবাৰেই নমৰিল; কিন্তু সি নিজৰ আকাৰ আৰু স্বভাৱ এৰি দি এশমাত্ৰা উত্তাপৰ আকাৰ আৰু স্বভাৱ ললে। তোমাৰ মাংসপেশীৰ যি শক্তি আছে, যেতিয়া তুমি কোনো এটা বস্তু তোলা, তেতিয়া সেই মাংসপেশীৰ শক্তিয়ে বস্তু তুলিবলৈ শক্তিৰ বিশেষ আকাৰ লয় মাথোন। ডাঙৰ ডাঙৰ পণ্ডিতে যিবোৰ সূক্ষ্ম গণনাৰ দ্বাৰাই এই সিদ্ধান্ত ঠিক কৰিছে, সেইবোৰ গণনা তোমালোকক বুজাই দিয়া টান, এক প্ৰকাৰ অসম্ভৱ। তেওঁলোকৰ এটি মাই কথা এই যে যদি কোনো শক্তিৰ সম্পূৰ্ণ বিনাশ সম্ভৱ হলহেঁতেন তেনেহলে তেওঁলোকে কোনো শক্তিৰেই কাৰ্য্য সম্বন্ধীয় গণনা কৰিব পাৰিলেহেঁতেন নে নাই সন্দেহৰ কথা।

ওপৰত আমি যি কথা কলোঁ, তাৰপৰা এইকেবা পাৰোঁ যে প্ৰাণ একপ্ৰকাৰ শক্তি আৰু প্ৰাণৰ সঁচা-সঁচিকৈ বিনাশ বা মৃত্যু নাই।

এই প্ৰাণ ক'ৰ পৰা আহিল? জল স্থল আকাশ সকলো ঠাইতে দেখিছোঁ যে প্ৰাণ সিচৰতি হৈ আছে। ইমান প্ৰাণ কৰপৰা আহে? এটা আশ্চৰ্য্য ব্যাপাৰ এই দেখোঁ যে সকলো প্ৰাণীৰেই প্ৰাণৰ কাৰ্য্যৰ প্ৰণালী মূলত এক। আমি প্ৰাণ ধাৰণ কৰিবৰ ইচ্ছা কৰি বায়ু, পানী প্ৰভৃতি নানা উপকৰণ আৰু উপায়ৰ সাহায্য লব লাগিব, খাব লাগিব; উশাহ নিশাহ লব লাগিব। আন আন সৰু বৰ জন্তুবো সিহঁতে জীয়াই থাকিব লাগিলে তাকে কৰিব লাগিব। আকৌ ক্ষুদ্ৰাতিক্ষুদ্ৰ জীৱাণুবো জীয়াই থাকিবৰ বাবে একে,

উপায়। আৰু কি, গছগছনিয়েও সিইঁতৰ উপযুক্ত আহাৰ মাটি পানী আৰু উশাহ নিশাহৰ নিমিত্তে বতাহ, উত্তাপ-প্ৰভৃতি নাপালে জীয়াই থাকিব নোৱাৰে। এই যে সকলোৰে মাজত প্ৰাণৰ কাৰ্য্য এক এক প্ৰণালীতে হব লাগিছে, প্ৰাণৰ এটা মূল কাৰণ নাথাকিলে এনেকুৱাকৈ একে নিয়মে সুন্দৰকৈ কাম হব পাৰিলেহেঁতেন নে? এই প্ৰাণৰ মূল কাৰণ সেই অদ্বিতীয় মহাপ্ৰাণ পৰমেশ্বৰ দেখিয়ে একে নিয়মে সকলোতে তাৰ কাম চলিছে।

আমি দেখিলোঁ যে প্ৰাণৰ বিনাশ বা মৃত্যু নাই। যি মহাপ্ৰাণৰ পৰাই এই প্ৰাণ আহিছে সেই মহাপ্ৰাণ যে সকলো প্ৰকাৰৰ মৃত্যুৰ অতীত সেই কথা বোধকৰোঁ দুনাই তোমালোকক কৈ দিব নালাগিব। সেই মহাপ্ৰাণক মৃত্যুৱে ছুব পৰাহেঁতেন জগতত প্ৰাণৰ কাৰ্য্য চলিব পাৰিলেহেঁতেন নে? তোমাৰ এটি ঘড়ী আছে। তুমি জীয়াই আছা, ঘড়ীত দম দিছা; সেইদেখি ঘড়ীটি নিয়মিত চলে। তুমি মৰি গলে যদি আন কোনোৱে সেই ঘড়ীত দম নিদিয়ে তেনেহলে ঘড়ীটি আৰু নচলে। সেইদৰে মহাপ্ৰাণৰ অভাৱ হলে প্ৰাণ থাকিব কেনেকৈ?

প্ৰাণ যে আপোনাআপুনি অহা নাই, কিন্তু সেই মহাপ্ৰাণৰ পৰাহে আহিছে, এটি কথা ভাবি চালে ইয়াত আৰু কোনো সন্দেহ থাকিবনোৱাৰে। তোমালোকে পঢ়িছা যে শূন্যক (০) কোনো সংখ্যাৰে পূৰণ বা হৰণ কৰিলে ফল শূন্যই হয়। ইয়াৰ অৰ্থ এই যে, যদি কোনো বস্তু নাথাকে, তেন্তে সেই শূন্যৰ পৰা কোনো বস্তু প্ৰস্তুত হব নোৱাৰে, অথবা সেই শূন্যৰ পৰা কোনো বস্তু ওলাই আহিবও নোৱাৰে। য'ত প্ৰাণ নাই অৰ্থাৎ প্ৰাণশূন্য তাত যিমানকে উত্তাপ, পানী প্ৰভৃতি দিয়া, তাৰ ফলত শূন্যকে পাবা, প্ৰাণ নোপোৱা। এই যে আমি মাছ মঙহ ভাত মাহ খাওঁ, এইবোৰত প্ৰাণ নথকাহেঁতেন আমি খাই জীয়াই থাকিব পাৰিলোঁহেঁতেন নে? এনেকুৱাও দেখা গৈছে যে শত সহস্ৰ বছৰৰ আগেয়ে তুলি থোৱা ধানে উপযুক্ত মাটি, বতাহ, পানী পাই গজালি মেলিছে। তোমালোকে ভাবিলাহেঁতেন যে সেই ধান বহুকাল পূৰ্ব্বেই মৰি গৈছিল। কিন্তু তেনে নহয়; তাত প্ৰাণ আছিল দেখিয়েই আকৌ তাৰপৰা শস্যৰূপে নতুন প্ৰাণ ওলাল। ধান বৰ আদিৰ প্ৰাণ ইমান কঠোৰ যে সেইবোৰক খুব সিজালেও তাৰপৰা প্ৰাণ সম্পূৰ্ণৰূপে ওলাই নাযায়। তাত যিমানকেৰা প্ৰাণ থাকে সেইকেখাই আমাৰ প্ৰাণ ধাৰণৰ পক্ষে উপযুক্ত। সিইঁতৰ অৱশিষ্ট প্ৰাণে জল প্ৰভৃতিৰ লগত আন আকাৰ প্ৰকাৰ ধাৰণ কৰে। সেইবোৰ সিজোৱা বস্তু আমি খাই আমাৰ প্ৰাণ ধাৰণ কৰাৰ মানে এই যে আমি সেইবোৰৰ পৰা আমাৰ প্ৰাণ ধাৰণৰ উপযুক্ত পৰিমাণে প্ৰাণ বাহিৰ কৰি লওঁ আৰু সেই প্ৰাণেৰে মাংসপেশীৰ বল, শৰীৰৰ তেজ প্ৰভৃতি নানা আকাৰ প্ৰদান কৰোঁ, আৰু তাৰ বাকী অংশ নানা উপায়েৰে শৰীৰৰপৰা বাহিৰ কৰি পেলাওঁ।' আন আন জীৱজন্তুৱে কেচা বস্তু খাই নিজৰ নিজৰ শৰীৰ পোষণৰ উপযুক্ত প্ৰাপ্যাংশ গ্ৰহণ কৰে, বাকী অংশ বাহিৰ কৰি পেলায়। এইবোৰ দৃষ্টান্তৰ পৰাও কিছু দূৰ বুজিব পাৰিবা যে ইয়াত যি প্ৰাণ দেখিছোঁ সেই প্ৰাণৰ মৃত্যু নাই। কিন্তু তাৰ আকাৰৰ প্ৰকাৰৰ বদল হব পাৰে।

এতিয়া ভাবি চোৱাঁ যে এসময়ত এই পৃথিৱী নাছিল। সূৰ্য্য এতিয়া যি আছে, গুৰিতে তাতকৈও অনেক ডাঙৰ আছিল। সেই তপত সূৰ্য্যৰ এটুকুৰা ছিগি আহি এই পৃথিৱী হল। যি সময়ত এই পৃথিৱী সূৰ্য্যৰপৰা ওলাই আহিছিল, সেই সময়ত ই ইমান তপত আছিল যে ইয়াত কোনো প্ৰকাৰ প্ৰাণ জন্মিবই নোৱাৰিছিল। এই পৃথিৱী ক্ৰমে চেঁচা হল, প্ৰাণ ৰক্ষাৰ উপযুক্ত হল, আৰু লাহে লাহে তাত বৃক্ষ লতা প্ৰভৃতি প্ৰাণৰ উৎপত্তি হল। এইটো কেতিয়াবা সম্ভৱ হব নে যে এই প্ৰাণ আপোনাআপুনি ইয়ালৈ আহিল? যি প্ৰাণৰ খেলা নিয়মে নিয়মে ছন্দই ছন্দই চলিছে সেই প্ৰাণ হঠাৎ আপোনাআপুনি আহিব পাৰে নে? আগেয়েই কৈ আহিছোঁ যে শূন্যৰপৰা শূন্য হে আহে। সূৰ্য্যত প্ৰাণৰ বীজ নাথাকিলে পৃথিৱীলৈ প্ৰাণ আহিব ক'ৰপৰা? আৰু এই প্ৰাণৰ মূলবীজ সূৰ্য্যলৈ আপোনাআপুনি আহিব পাৰে নে? ভাবা, যে এখন ফলিত এটি অঙ্ক কৰা আছে; তোমালোকে এনেটো কেতিয়াবা ভাবিব পাৰা নে যে সেই ফলিখনত অঙ্কটো আপোনা-আপুনি কৰা হৈ পৰি আছে, আৰু কোনেও সেই অঙ্কটি কৰা নাই? সূৰ্য্যত যি প্ৰাণৰ বীজ নিহিত আছে সি নিশ্চয় সেই মহাপ্ৰাণ পৰমেশ্বৰেই সূৰ্য্যত নিহিত কৰি দিছে। যাৰ ইচ্ছাত প্ৰাণ আছিল, প্ৰাণ উৎপত্তি হৈছে, তাক মৃত্যুৱে স্পৰ্শ কৰিলে প্ৰাণ থাকিব কেনেকৈ? তেওঁত পৰিবৰ্ত্তনৰ সম্ভৱ নাই; তেওঁ মৃত্যুৰ পৰিবৰ্ত্তনৰ পৰা জগৎ চৰাচৰত ওতঃপ্ৰোত থাকি প্ৰাণ চালি দিছে। এই জগতত য'ত প্ৰাণৰ খেলা, সেই প্ৰাণ ঈশ্বৰৰ স্বৰূপ দান।

ঈশ্বৰ আনন্দস্বৰূপ। সেইদেখি তেওঁ মৃত্যুৰ অতীত। সুখৰ অভাৱতে আমালৈ নিৰানন্দ আহে। আমি সুখ বিচাৰোঁ, সুখ নেপালেই আমাৰ কষ্ট হয় আৰু কষ্টৰ লগে লগে নিৰানন্দ হয়। তুমি মাৰাৰ আদৰ বিচাৰা, মাৰাৰ আদৰ পালে তোমাৰ সুখ হয়। আদৰ নাপালে দুখ আৰু নিৰানন্দ হয়। কিন্তু এই পৃথিৱীত যত ৰকম সুখ আছে, তাৰ মাজত জীয়াই

থকাই সকলো সুখৰ চৰম সুখ, কাৰণ জীয়াই নাথা-কিলে কোনো প্ৰকাৰ সুখৰে সোৱাদ পাব নোৱাৰি। আৰু সকলো দুখৰ মাজত মৃত্যুৱেই চৰম দুখ, সকলো দুখৰ মূলাধাৰ ; কাৰণ মৃত্যুৰ পিছত সকলো সুখৰে অভাৱ ঘটিব এই আশঙ্কা। কিন্তু যি চিৰসত্য আৰু চিৰআনন্দ, তেওঁৰ ওচৰত মৃত্যু ক'ত? মৃত্যুৱে তেওঁক কেনেকৈ স্পৰ্শ কৰিব? তেওঁ আনন্দময় ; তেওঁত নিৰানন্দৰ কণ মাত্ৰও থাকিব নোৱাৰে।

ঈশ্বৰ জ্ঞানস্বৰূপ। সেইদেখি তেওঁ মৃত্যুৰ অতীত। তেওঁ অতীত সমস্ত কাল, বৰ্ত্তমান কাল, আৰু ভবিষ্যৎ সমস্ত কাল সম্পূৰ্ণৰূপে জানিছে। সূৰ্য্যৰপৰা যি ভাবে প্ৰাণ আহিবৰ সম্ভাৱনা আছিল কেৱল এই পৃথিৱীত কিয় সমস্ত জগৎ চৰাচৰত ব'ত যি প্ৰাণৰ খেলা চলিছে আৰু চলিব সেই সমস্তকে জানে। তেওঁ যদি মৃত্যুৰ অতীত নহলহেঁতেন তেন্তে প্ৰত্যেক প্ৰাণবিন্দুৰ ভূত ভবিষ্যৎ বৰ্ত্তমান জানিব নোৱাৰিলেহেঁতেন। তেওঁৰ মৃত্যু হলে তেওঁ নিশ্চয় সেই মৃত্যুৰ পিছৰ কালৰ কথা জানিব নোৱাৰিলেহেঁতেন।

আহাঁ, এইবাৰ আমি প্ৰাণভৰি বলেৰে সৈতে জগতৰ অতীত কালত যি সকল গৈছে, বৰ্ত্তমান যি সকল কৰ্ম্মক্ষেত্ৰত বিচৰণ কৰিছে আৰু ভবিষ্যতত যি সকল ভগবানৰ জয়কীৰ্ত্তন কৰিবৰ নিমিত্তে আৱিৰ্ভূত হব, সকলোৰে সৈতে সমস্বৰে ঘোষণা কৰোঁ।—ঈশ্বৰেই অনন্ত সত্য, ঈশ্বৰেই অনন্ত জ্ঞান আৰু ঈশ্বৰেই অমৃতানন্দ।

ষষ্ঠ কথা

ঈশ্বৰৰ শান্ত আৰু মঙ্গল (শান্তং শিৱং)

ঈশ্বৰ শান্ত। তেওঁ শান্তি সমুদ্ৰ অতি গভীৰ। অন্তৰে বাহিৰে তেওঁৰ সেই গভীৰ শান্ত ভাব সিচৰিত হৈ আছে, চকু মেলি চাবৰ চেষ্টা কৰিলেই সকলো ঠাইত সেই শান্ত ভাবৰ পৰিচয় পাবা। প্ৰত্যুষত নৈৰ পাৰত কোনো সুপ্ৰশস্ত বালিৰ ওপৰত বহি থাকা।—দূৰৰ গাঁৱৰ ভিতৰত দুই এটি চৰাইয়ে দুবাৰ এবাৰ টোপনিতে মাতি আকৌ শুলে। লাহে লাহে বাতিপুৱাৰ বেলি ওলাই আহিবলৈ ধৰিলে। সেই সময়ত প্ৰকৃতিৰ শান্ত মূৰ্ত্তিয়ে কেনেকৈ সহজতে ঈশ্বৰৰ শান্তভাবৰ চিনাকি দিয়ে। বামফালে এখন বহল পথাৰৰ মাজৰ গছ এজোপাৰ তলত বহি থাকা। —তোমাৰ সন্মুখত দূৰত পথাৰৰ সূক্ষ্ম ধূলিৰ কণাবোৰ খুব পাতল খোৱাঁৰ নিচিনাকৈ ক্ৰমাগত কঁপি কঁপি আকাশলৈ উঠিছে। গৰু মানুহ প্ৰভৃতি কোনো জীৱ জন্তু পথাৰত নাই। মানুহ ঘৰ বৰত অথবা গছৰ তলত সুখেৰে শুই আছে ; গৰুবোৰে গছৰ তলত শুই ঘাঁহ পাগুলিব লাগিছে। চৰাইবোৰে গছৰ পাতৰ আঁৰত বহি প্ৰচণ্ড ৰ'দৰ তাপৰ পৰা নিজক ৰক্ষা কৰিছে। সেই সময়ত ঈশ্বৰৰ গভীৰ শান্তভাবৰ কেনে চিনাকি পোৱা। সন্ধিয়া বেলিকা কোনো নিৰ্জ্জন পৰ্ব্বতৰ ওপৰত বহি থাকা।—গৰখীয়াই গৰুবোৰ ঘৰলৈ লৈ গৈছে। চৰাইবোৰ বাহলৈ উভতি আহি দুবাৰ এবাৰ মাতি শুই পৰিল। ধীৰে ধীৰে সন্ধ্যাই হাতত-সাৰে ভৰিত-সাৰে আহি জগতৰ মুখখন নিজৰ বিহাৰ আঁচলেৰে ঢাকি পেলালে। নীলা আকাশত দুটি এটিকৈ তৰা ফুলিবলৈ ধৰিলে। কি গভীৰ শান্ত ভাব। শান্তি সমুদ্ৰৰ কি সুন্দৰ পৰিচয়। পূৰ্ণিমাৰ ধৌতময় জোনাক আকাশলৈকে চোৱা, অথবা আঁউসীৰ এন্ধাৰ আকাশলৈকে চোৱা, সেই একে গভীৰ শান্ত ভাবৰ চিনাকি পাবা। প্ৰকৃতিৰ এই শান্ত ভাব সেই শান্তি সমুদ্ৰৰ প্ৰশান্ত ভাবৰেই ছাঁ মাথোন।

ঈশ্বৰ শান্ত। তেওঁক দেখা পাবৰ হলে তেওঁৰ কাষে শান্ত সমাহিত হৈ আগবাঢ়িব লাগিব। তোমাৰ হৃদয় মনে যদি শান্ত ভাব ধৰে, তেন্তে তাত সহজতে সেই শান্তিসমুদ্ৰৰ ছাঁ পৰিব। আৰু যদি তোমাৰ হৃদয়ত অশান্তি থাকে, তেন্তে বাহিৰৰ প্ৰকৃতিত যিমানকৈ শান্তিৰ ধতাহে ঈশ্বৰৰ গাৰ সুগন্ধ বিলাই দিয়ক, সেইটোৰ অনুভৱ তুমি কেতিয়াও কৰিব নোৱাৰা। আমি যদি নিজৰ মনক অশান্তিত বুৰাই থওঁ তেন্তে চাৰিউফালে মাথোন অশান্তিৰ বিভীষিকাহে দেখিবলৈ পাম।

ঈশ্বৰ মঙ্গল। তেওঁ মাথোন শান্তভাৱে দৰ্শকৰ নিচিনাকৈ থিৰ হৈ থকা নাই ; তেওঁ জগতৰ প্ৰত্যেক পৰমাণুত, কালৰ প্ৰত্যেক মুহূৰ্ত্তত ওতপ্ৰোত থাকি নিৰন্তৰ মঙ্গল সাধন কৰিব লাগিছে। যেতিয়া সকলো প্ৰাণী টোপনিত নিমগন থাকে, তেতিয়াও সেই জাগ্ৰত পুৰুষে অনিমেষ নয়নেৰে সকলোৰে মঙ্গল আলোচনা কৰে, আৰু নিজৰ শান্ত মহিমাত অৱস্থিত থাকি জগতৰ হিত সাধন কৰে।

ঈশ্বৰ মঙ্গল। তেওঁৰ মঙ্গল ভাবৰ পৰিচয় চাৰিউফালে সিচৰতি হৈ আছে। কোন কালে চাই কম যে এইকালে তেওঁৰ মঙ্গল হাতৰ চিনাকি পাওঁ, সেইকালে নেপাওঁ। তেওঁ মানুহ সৃষ্টিৰ অনেক পূৰ্ব্বে মানুহৰ শৰীৰ ৰক্ষাৰ উপযোগী শাকপাচলি, পানী, ফলমূল প্ৰভৃতিৰ যুগুত কৰি দিছে। আমাৰ শৰীৰৰ ভিতৰত এনে এটি ক্ষুধা বৃত্তি সুমাই দিলে যে তাৰ ফলতেই আমাৰ বুদ্ধি প্ৰভৃতি মনৰ বৃত্তিবোৰ

ফুটি উঠিল। আকৌ সেই বুদ্ধিৰ সহায়ত কাম কৰোঁতে কৰোঁতে আত্মা জাগ্ৰত হৈ সেই প্ৰাণাৰাম পৰমাত্মাৰ কালে লৰি যাব খোজে। তেওঁৰ মঙ্গল ভাৱৰ চিনাকি আমাৰ গোটেইটো জীৱন জুৰি লেখিলেও ওৰ নপৰে।

কেতিয়া কোন যুগ যুগান্তৰ পিছত মানুহে খান্দি খাব, ৰেলগাড়ী চলাব, জাহাজ চলাব, নানা ৰকম কল কাৰখানা চলাব তাৰ নিমিত্তে দয়াময় পৰমেশ্বৰে কোটি কোটি বছৰৰ আগৰে পৰা নাগমাটিৰ দিহা কৰি থৈছে। তোমালোকে বোধকৰোঁ কিতাপত পঢ়িছা যে সেই কোটি কোটি বছৰৰ আগেয়েই গছবোৰ নাগমাটি হৈ গৈছে। গছবোৰ পানী আৰু উত্তাপৰ মাজত থাকি সিজি একেবাৰে ক'লা আৰু টান হৈ গোট বান্ধি গৈছে। কোটি কোটি বছৰৰ পিছত আমি সেইদৰে গোট বন্ধা গছ ভাঙি অনায়াসে নানা কামত লগাব পাৰিছোঁ।

যি বিশ্বেশ্বৰ মহাদেৱে এটি সূৰ্য্যক স্থাপনা কৰি এই পঞ্চভূতাত্মক পৃথিৱী সৃষ্টিৰ উপায় কৰিলে আৰু সেই পৃথিৱীলৈ চাৰে তিনি হাত দীঘল মানুহ আহিবলৈ ব্যৱস্থা কৰিলে আৰু যি সেই মানুহক তেওঁক জানিবৰ অধিকাৰ দিলে, সেই দেৱতা মঙ্গলময় নহয় যদি কোন দেৱতা মঙ্গলময়? তেওঁ এটি ধ্ৰুৱতৰাক আকাশত থৈ জ্যোতিৰ্ব্বিদ্যাৰ কিমান উন্নতি সাধনৰ ব্যৱস্থা কৰি দিছে। দ্যুলোকলৈ চোৱা, তাতো তেওঁৰ মঙ্গলহস্ত দেখিবলৈ পাবা। কোন যুগত হিমালয় পৰ্ব্বত উঠিল আৰু আজি আমি সেই হিমালয়ৰ পৰা ওলোৱা নৈবোৰ আশ্ৰয় কৰি জীয়াই আছোঁ, জগতৰ উন্নতি সাধনত নিযুক্ত আছোঁ। এই নৈবোৰ অৱলম্বন কৰি কত পুণ্যযশা ঋষিমুনিয়ে আমাৰ সেই প্ৰাণৰ কথা কীৰ্ত্তন কৰি গৈছে আৰু সেই পুণ্যকথাবোৰ আলোচনা কৰি আজি আমি আনন্দ অনুভৱ কৰিছোঁ আৰু জীৱন ধন্য মানিছে।

কোনো কোনো ঘটনাত ঈশ্বৰৰ শান্ত মঙ্গলময় ভাৱৰ ওপৰত কাৰো কাৰো সন্দেহ ওপজে। ভুঁইকঁপ হল মোৰ ঘৰ দুৱাৰ পৰি গল, ল'ৰা তিৰোতা মৰি গল; মই ভাবিলোঁ যে যি ঈশ্বৰে এনে প্ৰলয়ৰ ব্যৱস্থা কৰিছে তেওঁৰ শান্তভাৱেই বা ক'ত আৰু তেওঁৰ মঙ্গলভাৱেই বা কিহৰ? প্ৰচণ্ড ধুমুহা ধৰমুণ হল, অনাবৃষ্টি হল, আকাল হল, কত মানুহ খাবলৈ নেপাই মৰিল, আমি সেইবোৰ ঘটনাক অমঙ্গল বুলি কওঁহক।

এইবোৰ ঘটনা আমাৰ চকুত এতিয়া অমঙ্গল যেন লাগিলেও যে এইবোৰ তেওঁৰে মঙ্গল হস্তৰ পৰিচয় তাত সন্দেহ নাই। ভাবি চোৱা যে সেই কোটি কোটি বছৰৰ আগেয়ে কত গছ-গছনি হৈছিল। তাৰ পিছত সেইবোৰ পানীত বুৰি নাগমাটি হল আৰু সেই নাগমাটিৰে আজি আমি কত কামকে কৰিব লাগিছোঁ। এতিয়া যদি সেই গছ-গছনিবোৰে কয় যে সিহঁতক পানীত বুৰাই নাগমাটি কৰাটো ঈশ্বৰৰ অমঙ্গল ভাৱৰে চিনাকি, তেনেহলে সেই কথাত তোমালোকে মাহঁাহিবা নে? তোমালোকে যি কেৰাচিন তেল ব্যৱহাৰ কৰা সেইটো কি জানা নে? আজিকালি একৰকম থিৰাং হৈয়েই গৈছে যে কোটি কোটি বছৰৰ আগেয়ে যি জন্তুবোৰ পানীত বুৰি মৰিছিল, সিহঁতৰ "চৰ্ব্বি" উত্তাপ আৰু পানীৰ ভাপত পৰি তেল হৈছে। সেই জন্তুবোৰে যদি কয় যে সিহঁতক পানীত বুৰাই মৰাটো ঈশ্বৰৰ অমঙ্গল ভাৱৰে চিনাকি, তেনেহলে তোমালোকৰ হাঁহি নুঠিব নে? তোমালোকে আজি কোটি কোটি বছৰৰ পিছত ঈশ্বৰৰ মহিমা অনুভৱ কৰি সেইবোৰ ঘটনাত তেওঁৰ মঙ্গল হাতৰ পৰিচয় পোৱাইক বুলি আনন্দিত হৈছা। সেইদৰে আজি আমি আমাৰ আত্মীয় স্বজনৰ মৃত্যু প্ৰভৃতি যিবোৰ ঘটনাক অমঙ্গল ভাবি মুহ্যমান হৈছোঁহঁক, হয়তো কোটি কোটি বছৰৰ পিছত উন্নত মানৱে সেইবোৰ ঘটনাৰ মাজেদি ঈশ্বৰৰ মঙ্গল ভাব অনুভৱ কৰি তেওঁৰে জয়জয়কাৰ কৰিব।

আমি দেখি আহিছোঁ যে ঈশ্বৰ সত্যস্বৰূপ; জ্ঞানস্বৰূপ, অনন্তস্বৰূপ আৰু আনন্দময়। এইটো সম্ভৱ নে যে তেওঁ সকলো জানিশুনি অমঙ্গল পঠিয়াইছে? যদি তেৱেঁই অমঙ্গল পঠিয়ায়, তেন্তে আমাৰ নিস্তাৰ ক'ত? আমি মৃত্যুকে সকলোতকৈ অমঙ্গল বুলি ভাবোঁ। কিন্তু মৃত্যু সঁচাসঁচিকৈয়ে অমঙ্গল নে? ভাবা যে পৃথিৱীত মৃত্যু নাই। তেনেহলে মানুহে চৰম বৃদ্ধত্ব লাভ কৰি থাকিব ক'ত? খাব নোৱাৰে, কাম কৰিব নোৱাৰে, অথচ জীয়াই থাকিব লাগিব।—তেনেকৈ জীয়াই থকা কি ভয়ানক। এইবাৰে বুঢ়াবোৰে প্ৰাণভৰি ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰে যেন তেওঁলোক সোনকালে এই সংসাৰৰ পৰা গুচি যায়। সংসাৰত মৃত্যু নথকাহেঁতেন কিজানি সকলোৱেই কলেহেঁতেন যে ঈশ্বৰ কি নিঠুৰ যে এনে কষ্টৰ ভিতৰত সদায় জীয়াই ৰাখে। যদি কোৱাঁ যে মানুহ বুঢ়া নহৈ চিৰকাল জীয়াই থাওক। তাৰ ফল কি, এবাৰ ভাবি চাইছা নে? ভাবি চোৱাঁ, যে প্ৰত্যেক মানুহে অনন্তকাল একেঠাইতে কাম কৰি যাব লাগিছে, কোনো জিৰণি নাই; তেওঁৰ ইয়াত যি জানিব লগীয়া আছিল সকলোবোৰ তেওঁ জানিলে। তাৰ পিচত তেওঁ কি কৰিব? এতিয়াই যদি আমি কোনো এটা বিষয় কিছুকাল দেখোঁ, কোনো এটা বস্তু কিছুকাল খাওঁ বা ব্যৱহাৰ কৰোঁ, তেনেহলে

আমাৰ তাত অৰুচি হয়। আৰু অনন্ত কাল একেটা বস্তুকে ব্যৱহাৰ কৰিলে, একেটা বিষয়কে লৈ থাকিলে যে কি কষ্ট হ'লহেঁতেন, তাক কব নোৱাৰি।

আগেয়ে দেখি আহিছোঁ যে ঈশ্বৰৰ ৰাজ্যত একে নিয়ম সকলো ঠাইতে কাৰ্য্যকৰ হয়। তুমি মাথোন মানুহৰ প্ৰাণৰ এটা বিশেষ নিয়মেৰে থাকিলে নচলে। যদি মৃত্যু উঠাই দিয় খোজা, তেন্তে গোটেই প্ৰাণ-ৰাজ্যৰ পৰা তাক খেদাব লাগিব। গোটেই প্ৰাণ-ৰাজ্যৰ পৰা যদি মৃত্যু গুচি যায়, তেনেহলে ভাবি চোৱাঁচোন একে গছ, একে ফল, একে জীৱজন্তু সকলো লুৰলুৰীয়া বুঢ়া হৈ-খুৰি কুঁখিছে, সিহঁতৰ মৃত্যু নাই। কি ভয়ানক অৱস্থা! তেনেহলে কোনো প্ৰকাৰ ফলমূল কিম্বা কোনো বস্তু খোৱাই নচলিল-হেঁতেন।

যদি কোৱা যে কম বয়সত মৃত্যু প্ৰভৃতিয়েই অমঙ্গল। এইটো ঠিক যে আমি সকলো সময়তে বুজিব নোৱাঁৰো যে অমুক লোকে জগতৰ খুব ভাল কৰিছিল, তেওঁৰ অলপ বয়সতে হঠাৎ মৃত্যু হল কিয়? কিন্তু সেইবুলি ঈশ্বৰৰ মঙ্গল ভাৱত সন্দেহ কৰা উচিত নহয়। আমাৰ জনা উচিত যে মঙ্গলময়ে যেতিয়া মৃত্যু পঠিয়াইছে, তেতিয়া তাত নিশ্চয় মঙ্গল। আগেয়েই কৈ আহিছোঁ যে প্ৰাণৰাজ্যৰ সকলো ঠাইতে এক নিয়মে কাৰ্য্য হয়। ফলৰ দৃষ্টান্ত প্ৰথমেই দেখা যাওক। অলপ বয়সত মৃত্যু থাকিব নেলাগে কাৰণ সেইটো অমঙ্গল, এই নিয়মেৰে কাম কৰিলে কেচা ফল পাৰি খোৱাটোৱেই অসম্ভৱ হলহেঁতেন। কেচা ফল খোৱাটো শৰীৰ ৰক্ষাৰ নিমিত্তে মাজে সময়ে আৱশ্যক হয়। যদি কেচা ফল খাবলৈ পোৱা নগ'লহেঁতেন, তেনেহলে কি অৱস্থা হ'লহেঁতেন এবাৰ ভাবি চোৱাঁচোন। ভাবাঁ, তুমি এটি কেচা অমৃতা পাৰি খালা। তোমাৰ গা ভাল হল, তুমি সংসাৰৰ কামত ভালকৈ মন দিব পাৰিলা। তুমি ভাবিলা যে ভাল কাম কৰিছা, তোমাৰ আত্মীয়সকলেও তাকে ভাবিলে। কিন্তু অমৃতা গছজোপাই ভাবিব নোৱাৰে নে যে তাৰ কি সৰ্বনাশ হল,—তাৰ এটি কেচা ফল গ'ল? অমৃতা গছজোপাৰ অৱশ্যে কান্দিবৰ অধিকাৰ আছে। সেইদৰে তোমাৰ মোৰ আত্মীয়ৰ মৃত্যুত আমাৰ কান্দিবৰ অধিকাৰ আছে। কিন্তু সেই আত্মীয় ব'ত কামৰ নিমিত্তে আন আকাৰেৰে ওলাবগৈ, তাৰ মানুহৰ আনন্দ কৰিবৰো অধিকাৰ আছে;

আমি আগেয়ে দেখি আহিছোঁ যে মৃত্যুৰ অৰ্থ বিনাশ নহয়, কিন্তু শক্তি আৰু অৱস্থাৰ ৰূপান্তৰ মাথোন। তেনেহলে এই কেৱা আমি ধৰি লব পাৰো যে ইহলোকত যাৰ মৃত্যু হল, তাৰ বিনাশ নহল কিন্তু লোকান্তৰলৈ সেইজনে গৈ তাত আন আকাৰ ধৰি জন্মগ্ৰহণ কৰিলে। ফল প্ৰভৃতি খাদ্যবস্তুৱে যেনেকৈ আন আন জীৱজন্তুৰ ভিতৰত প্ৰৱেশ কৰি নিজৰ অৱস্থাৰ পৰিবৰ্ত্তন কৰে, উন্নত জীৱবোৰে সেইদৰে নকৰে, কাৰণ তেওঁলোকে ক্ৰমে ক্ৰমে নিজৰ ব্যক্তিগত বিশেষত্ব পাই গৈছে। আমি জানো যে সূৰ্য্য চন্দ্ৰ পৃথিৱীৰ এফালে অদৃশ্য হৈ গলে আন ফালে উদয় হয়,—এফালৰ পক্ষে তেওঁলোকৰ একপ্ৰকাৰ মৃত্যু ঘটিলেও আন ফালৰ পক্ষে তেওঁলোকে নতুনকৈ জীৱন গ্ৰহণ কৰিলে। ইয়াৰ দ্বাৰাই ঈশ্বৰে যেন দেখুৱাই দিছে যে মৃত্যু আন একো নহয়,—কেৱল এঠাইৰপৰা গৈ আন এঠাইত উদয় হোৱা। যদি এই সূৰ্য্য চন্দ্ৰ অনন্তকাল একেফালেই থাকিলেহেঁতেন, তেনেহলে ভাবি চোৱাঁচোন কি বিষম কথাই হলহেঁতেন! এইবাৰ কবিৰে সৈতে হৃদয় তন্ত্ৰীত ঝঙ্কাৰ দি গোৱাঁ,—
"মঙ্গল তোমাৰ নাম, মঙ্গল তোমাৰ ধাম, মঙ্গল তোমাৰ কাৰ্য্য, তুমি মঙ্গল নিদান"।

সপ্তম কথা

ঈশ্বৰ অদ্বিতীয় (অদ্বৈতং)

ঈশ্বৰ অদ্বিতীয়। তেওঁ দ্বৈতৰহিত। তেওঁৰ দ্বিতীয় বা সমান কোনো নাই। জগৎ চৰাচৰৰ প্ৰত্যেক অণুপৰমাণুত তেওঁ ওতপ্ৰোত হৈ আছে, সেইদেখি তেনেকৈ জগৎ চৰাচৰত আন কোনো ওতপ্ৰোত হৈ থাকিবৰ ঠাই নাই। তোমালোকে পঢ়িছা যে দুটি বস্তুই সুকীয়া সুকীয়া ঠাই অধিকাৰ কৰিলে সিহঁতৰ ভিতৰত এটি ডাঙৰ এটি সৰু হবই; কিন্তু যদি সেই দুটি বস্তুই সমান ঠাই অধিকাৰ কৰে তেনেহলে সিহঁত দুয়ো এক আৰু অভিন্ন হব। যদি আন কোনো অনন্ত জগতৰ এটি অণুও বাদ দি বাকী অংশত ওতপ্ৰোত হৈ থাকে তেন্তে তেওঁ আমাৰ ঈশ্বৰতকৈ সৰু হব; কাৰণ আমাৰ ঈশ্বৰ জগতৰ এটি অণুও বাদ নিদি ওতপ্ৰোত হৈ আছে। আৰু তেওঁতকৈ বেছিকৈ জগতৰ কোনো ওতপ্ৰোত থাকিব নোৱাৰে, কাৰণ তেওঁ অনন্ত জগতত অনন্তকাল ওতপ্ৰোত আছে—এনে এডুখৰি ঠাইও নাই য'ত তেওঁ নাই, আৰু এনে এটি মুহূৰ্ত্তও নাই যেতিয়া তেওঁ নাই বা নাছিল বা নাথাকিব। আমি আগেয়ে কৈ আহিছোঁ যে তেওঁ আছে সেইদেখি সকলো আছে, তেৱেঁই এক অনন্ত সকলৰ স্ৰষ্টা। এই অনন্ত সকলো এক, ইয়াৰ দ্বিতীয় নাই। আমি যত

খণ্ড স্থান বা আকাশ কল্পনা কৰি ললেও স্থান এক। সেইদেখি সেই স্থানৰ স্ৰষ্টা—যাৰ দৃষ্টিত সেই বিৰাট স্থানৰ অস্তিত্ব, তেৱেঁ৷ কাজে কাজেই অদ্বিতীয়। সকলো বস্তুত যি ভাবে তাপশক্তি বা বিদ্যুৎশক্তি ওতপ্ৰোত হৈ থাকে, সেই ভাবৰ পৰা আমি জগতত ঈশ্বৰ ওতপ্ৰোত থাকিবৰ কিছু দূৰ আভাস পাওঁ।

ঈশ্বৰ অদ্বিতীয়। তেওঁ যেনেকৈ স্থানত অদ্বিতীয় সেইদৰে কালতও অদ্বিতীয়। অনাদি অনন্ত কাল ব্যাপ্ত হৈ একেজন পুৰুষেই থাকিব পাৰে। আন কাৰো সেইদৰে থাকিবৰ অৱকাশ নাই। যদি আন কেও এটি মুহূৰ্ত্ত বাদ দি অনাদি কালৰ বাকী অংশত ওতপ্ৰোত থাকিলহেঁতেন, তেনেহলে তেওঁ আমাৰ ঈশ্বৰতকৈ সৰু হলহেতেন। কাৰণ আমাৰ ঈশ্বৰ কালৰ এটি মুহূৰ্ত্তও বাদ নিদি আছে। কাজেই তেওঁতকৈ বেছিকৈ কোনো কালত ব্যাপ্ত হৈ থাকিব নোৱাৰে। তেওঁ আছে সেইদেখি কাল আছে। তেৱেঁই এক অনন্ত কালৰ স্ৰষ্টা। আমি খণ্ড খণ্ড কালৰ কল্পন কৰি ললেও, কালক দিন ঘণ্টা প্ৰভৃতিত ভাগ কৰি ললেও কাল এক। সেইদেখি সেই কালৰ স্ৰষ্টা—যাৰ দৃষ্টিত সেই বিৰাট কালৰ অস্তিত্ব—তেৱেঁ৷ কাজেই অদ্বিতীয়।

ঈশ্বৰ অদ্বিতীয়। আমি আগেয়ে দেখি আহিছোঁ যে সেই পৰমেশ্বৰে সকলো ঠাইৰ অণুপৰমাণু আৰু সকলো কালৰ প্ৰতি মুহূৰ্ত্তৰ প্ৰতি ঘটনা জানিছে। যেতিয়া সেই স্থান আৰু কাল অদ্বিতীয়, তেতিয়া কাজেই ঈশ্বৰ জ্ঞানতো অদ্বিতীয়। স্থান আৰু কালৰ যেতিয়া স্ৰষ্টাই তেওঁ, তেতিয়া এই কথা কবই নোৱাৰি যে স্থান আৰু কালৰ এখুদমানো অংশই তেওঁৰ জ্ঞানক অতিক্ৰম কৰিব পাৰে। যেতিয়া একোৱে তেওঁৰ জ্ঞানক অতিক্ৰম কৰিব নোৱাৰে তেতিয়া তেওঁক অতিক্ৰম কৰি আৰু একো জানিবৰ বিষয় নাই। তেওঁক অতিক্ৰম কৰি কোনো এটা জানিবৰ বিষয় থাকিলে সেই বিষয়কেৰা তেওঁৰ জ্ঞানৰ অতিৰিক্ত থাকিলহেঁতেন—কিন্তু সেইটো একেবাৰে অসম্ভৱ।

ঈশ্বৰ অদ্বিতীয়। তেওঁ আনন্দত অদ্বিতীয়। আমি আগেয়ে দেখি আহিছোঁ যে তেওঁ আনন্দৰূপ। তেওঁত নিৰানন্দৰ কণামাত্ৰও থাকিব নোৱাৰে। আমাৰ স্বৰচিত প্ৰভৃতি সীমাৰ নিমিত্তে আমাৰ আনন্দলৈ বাধা আছে। কিন্তু ঈশ্বৰ যেতিয়া অনন্ত, তেওঁত যেতিয়া কোনোৰকমৰে সীমাৰ সম্ভাৱনা নাই, তেতিয়া তেওঁলৈ নিৰানন্দ আহিবৰ কোনো সম্ভাৱনা নাই। তেওঁ অখণ্ড বিৰাট আনন্দৰূপ।

ঈশ্বৰ শান্তভাৱত অদ্বিতীয়। তেওঁ যেতিয়া আনন্দত অদ্বিতীয়, যেতিয়া তেওঁলৈ বিন্দুমাত্ৰও নিৰানন্দ আহিবৰ সম্ভাৱনা নাই; তেতিয়া তেওঁলৈ অশান্তি আহিবৰো কোনো সম্ভাৱনা নাই। নিৰানন্দ আহিলেই অশান্তি আহিব পাৰে, আৰু অশান্তি আহিলেই নিৰানন্দ আহিব পাৰে। তেওঁ শান্ত—শান্তিসমুদ্ৰ অতি গভীৰ।

ঈশ্বৰ অনন্ত; গতিকে অদ্বিতীয়। তেওঁৰ কোনো দ্বিতীয় থকাহেঁতেন তেওঁ সীমাবদ্ধ হলহেঁতেন—সেই দ্বিতীয় পৰুষজনেই তেওঁৰ সীমা হলহেঁতেন—সেই কাৰণে তেওঁৰ অনন্ত হব নোৱাৰিলেহেঁতেন।

ঈশ্বৰ অনন্ত আৰু অদ্বিতীয় দেখিয়েই তেওঁ অপ্ৰতিম। তেওঁৰ প্ৰতিমা অথবা মূৰ্ত্তি হব পাৰে নে নোৱাৰে এই বিষয়ে অনেক তৰ্ক হৈ গৈছে, আৰু হবও। আমাৰ সেইবোৰ তৰ্কলৈ নামিবৰ সকাম নাই, কিন্তু সহজ জ্ঞানেৰে কি জানিব পাৰি সেই কেৰাকে বুজি লম। ঈশ্বৰ যদি অনন্ত আৰু অদ্বিতীয় হল তেন্তে কোন বস্তুক তেওঁৰ প্ৰতিমা বুলিম? যি বস্তুক প্ৰতিমা বুলিম সিয়েইতো সান্ত হব, অনন্তই হবই নোৱাৰে। তেনেহলে সেই বস্তুটিক সেই অনন্ত পুৰুষৰ প্ৰতিমা কেনেকৈ বুলিম? যেতিয়া তেওঁৰ প্ৰতিমা হব নোৱাৰে, তেতিয়া কোনো মানুহ বা আন কিবা তেওঁৰ পূৰ্ণাৱতাৰো হব নোৱাৰে। কোনো পূৰ্ণাৱতাৰ হলেই তো তেওঁ অনন্ত হব লাগিব; কিন্তু জগতৰ সকলো বস্তু সকলো জীৱ জন্তুৱেই সান্ত। ঋষিসকলে স্পষ্টকৈ কৈ গৈছে যে তেওঁৰ প্ৰতিমা নাই "ন তস্য প্ৰতিমা অস্তি।"

তেওঁৰ প্ৰতিমা হব নোৱাৰে বুলি আমি তেওঁক পূজা কৰিব নোৱাৰিম নে? সেইটো নহয়। প্ৰকৃতিত তেওঁৰ যি মহিমা সিচৰতি হৈ আছে, ভাৰতৰ ঋষিসকলৰ দৰে ভগৱদ্ভক্ত সকলে ঈশ্বৰৰ বিষয়ে যিবোৰ মধুৰ কথা কৈ গৈছে; সেই মহিমা, ঋষিবাক্য প্ৰভৃতি অৱলম্বন কৰি তেওঁৰ পূজা কৰিম আৰু আমাৰ জীৱন সাৰ্থক কৰিম। ঈশ্বৰৰ কেনেকৈ পূজা কৰিম বুলি ভয় নাখাবা। তেওঁ আমাৰ পিতা, মাতা, বন্ধু সকলো তেৱেঁই; তেওঁ তোমালোকৰ লগতে আছে। প্ৰত্যেক মুহূৰ্ত্তত, জীৱনৰ প্ৰত্যেক ঘটনাত, সকলো ঠাইত, সকলো অৱস্থাত তেওঁ তোমালোকৰ লগত আছে জানিবা। তেওঁক হৃদয়ত দেখি, তেওঁক তোমালোকৰ জীৱনৰ লগৰীয়া জানি সকলো কাম কৰিলে দেখিবা যে তোমালোকৰ দুখ-দাৰিদ্ৰ্য, কষ্ট, নিৰানন্দ সকলো দূৰ হব।

মোৰ ইচ্ছা হয় যে ঈশ্বৰৰ বিষয়ে তোমালোকক অবিশ্ৰাম কৈ থাকোঁ; কিন্তু মোৰ ক্ষমতাই নাটে। সেইদেখি খন্তেকৰ নিমিত্তে মোৰ ভগৱৎ কথাৰ সোঁত এইখিনিতে ৰখালোঁ। তোমালোকে মোৰ কথাবোৰ বেছকৈ বুজি এক প্ৰাণেৰে সমস্বৰেৰে কোটি কণ্ঠেৰে ভগৱানৰ জয় উচ্চাৰণ কৰি এই ঋষিবাক্যটিক কৌস্তুভ মণিৰনিচিনাকৈ হৃদয়ত ধাৰণ কৰাহঁক—"ওঁ সত্যং জ্ঞানমনন্তং ব্ৰহ্ম আনন্দৰূপমমৃতং যদ্বিভাতি শান্তং শিৱমদ্বৈতং"।

পৰাধীন দেশত একমাত্ৰ ৰাজনীতি হৈছে—স্বদেশ প্ৰেম। সেই কালৰ পৰা চালে বেজবৰুৱা এজন নিৰহনিপানী ৰাজনৈতিক স্বদেশপ্ৰাণ: ৰজাঘৰীয়া বিষয় বাবৰ চক্ৰবেহুত নোসোমাই লক্ষ্মীনাথ বেজবৰুৱাই স্বাধীনচিন্তীয়াকৈ জীৱিকা আৰ্জিছিল। তেওঁ দেশক ভাল পাইছিল, জাতিক ভাল পাইছিল, "অ' মোৰ আপোনাৰ দেশ" 'অসম আই'ক সেৱা কৰিছিল। এই ভালপোৱা সৰ্ব্বভাৰতীয় স্বাধীনতা আন্দোলনৰ পৰিপন্থী নহয়, বৰঞ্চ প্ৰতিপোষকহে। তেওঁ বিশ্বাস কৰিছিল—"স্বদেশ আৰু স্বজাতিৰ মঙ্গল মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।" পৰ্ব্বত-ভৈয়ামৰ প্ৰীতিৰ সেন্দুৰীয়া আলি বান্ধিবলৈ সপোন দেখা দেশপ্ৰেমিক বৈষ্ণৱপ্ৰাণ বেজবৰুৱাৰ "পুৰণি পৃথিৱী নকৈ চাই লবৰ" অভিলাস আজিৰ অসম আৰু অসমীয়াই নিৰপেক্ষ দৃষ্টিৰে সমীক্ষণ কৰিবলৈ সমৰ্থ হব।

......বেজবৰুৱাই নাগপুৰত হোৱা ভাৰতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশনতো অসমৰ প্ৰতিনিধি হৈ যোগ দিছিল। তেখেতেই কংগ্ৰেছত প্ৰতিনিধিত্ব কৰা পোনপ্ৰথম অসমীয়া। সম্বলপুৰ পৌৰসভাতো তেওঁ একেৰাহে তিনিবাৰ সদস্যৰ আসন লাভ কৰিছিল। এজন অসমীয়াৰ পক্ষে বিদেশত এনে প্ৰতিষ্ঠা লোভনীয় নহয় জানো?

(১৯১০ চনত "বাঁহী" প্ৰকাশিত হয়। ১৮৩১ শক—আঘোণ)

জুনুকা

ৰাজহাঁহ আৰু কাউৰী

বাটকুৰা এটা এদিন বাটে বাটে গৈ।
জিৰাইছিল গছৰ তলত ধনু-কাঁড় থৈ॥
ভাগৰ লাগি বাটৰুৱাৰ টোপনি আহিল।
তিনিপৰীয়া ৰ'দ আহি মুখত পৰিল॥
গছৰ ওপৰত আছিল তাতে ৰাজহাঁহ এটি।
ৰ'দ নপৰা কৰি তাৰ পাখিৰে ধৰিলে ছাতি॥
ছাঁ পাই মুখ মেলি নাক ঘোৰ্ঘোৰাই।
মহাসুখে শুলে সেই বাটৰুৱা ভাই॥
আছিল সেই হাঁহৰ লগত কাউৰী দুষ্ট বৰ।
মেলা মুখত ভৰ্চিছ্ দি উৰি মাৰিলে লৰ॥
টোপনি ভাগি বাটৰুৱাই ওপৰলৈ চাই।
দেখা পালে ৰাজহাঁহ আৰু কোনো নাই॥
তাৰে এই কাম ভাবি লই কাঁড়-পাত।
ধনুত লগাই মাৰি হাঁহ কৰিলে নিপাত॥

"দুৰ্জ্জনেৰে সৈতে তুমি নকৰিবা স্থিতি ;
কাউৰীৰ সৈতে থাকি হাঁহৰ চোৱা কেনে গতি॥"

টোকোৰা আৰু চিতল

সত্য কালৰ কথা। সেই কালত উৰণ আৰু বুৰণ এই দুইবিধ জন্তুৱে বাহ সাজি থাকিব নেজানিছিল। সেইবাবে সিহঁতৰ বৰ দুৰ্গতি দেখি সিহঁতৰ ভিতৰৰ বুঢ়া-মেঠাবিলাকে কি কৰা উচিত, এই কথা আলচ কৰিবলৈ এদিন মেল পাতিলে। মেলত স্থিৰ হল যে সিহঁতৰ ভিতৰৰ পৰা দুজনক বিধতাৰ ওচৰলৈ পঠিয়াই দিয়া হওক। বিধতাক সিহঁতে সোধকগৈ কেনেকৈ সিহঁতৰ ভাই-বন্ধু-সিয়াজিবোৰে বাহ সাজি থাকিব। চৰাইবোৰে টোকোৰাক আৰু মাছবোৰে চিতলক বিধতাৰ ওচৰলৈ পঠিয়াই দিলে। সিহঁতে বাটবুলি বাই গৈ গৈ বিধতাৰ ওচৰ পালত বিধতাই সিহঁত কিয় আহিছে, কি লাগে বুলি সুধিলে। দুয়ো আঁঠু লৈ বিধতাক নিজৰ নিজৰ দুখ-দুৰ্গতিৰ কথা জাননি-পাতি ক'লত মাছ আৰু চৰাইবোৰে কেনেকৈ বাহ সাজি নিৰাপদে থাকিব লাগে সেই বুধি বিধতাই চিতল আৰু টোকোৰাক শিকাই দিলে।

ইয়াৰ পিছত দুয়ো বিধতাৰ ওচৰত মেলানি মাগি ঘৰমুৱা হৈ খোজ ললে। বাটত টোকোৰাই চিতলক ক'লে, "চিতল ককাই, মোৰ মনত কথা এটা খেলাইছে, জানো, তুমি কি বোলা ?" চিতলে উত্তৰ দিলে, "মোৰো মনত তেনেকুৱা কিবা এটা কথা খেলাইছে। আগেয়ে তোমাৰটো শুনি লওঁ, তাৰ পিছত মোৰটোও তোমাক কম।" টোকোৰাই ক'লে, "ককাই। আমি ইমান দুখে-ভাগৰে বিধতাৰ ওচৰলৈ আহি বাহ সজা শিকি লৈছোঁ। আমিনো আনক আমাৰ বুধিটো শিকাওঁ কেলেই ? কোননো আমাৰ বুকুৰ বাছ, কোননো আমাৰ আইৰ কালৰ কুটুম যে তাক আমাৰ দুখৰ আৰ্জ্জনকেৰা দিম ? ছল পালেই সেই মুখত পোক-লগা হতাছিৰি হোৱা কাউৰীয়ে মোক খেদাত তৎ একমাত্ৰ। মই মোলো বুধিটো কাকো নিশিকাওঁহঁক। তুমি কি বোলা ?" এই কথা শুনি চিতলে জপিয়াই উঠি ক'লে, "ঠিক কৈছা টোকোৰা ভাই। ঠিক কৈছা। মইও তোমাক তাকেহে কম বুলি ভাবি আহিছিলোঁ। তুমিও কাকো নিশিকাবা আৰুময়ো কাকো নিশিকাওঁ। আমি সিহঁতক কম, বিধতাক আমি পোনতে লগকে ধৰিব নোৱাৰিলোঁ। খাপ্ লৈ লৈ, খাপ্ লৈ লৈ অনেক দিনৰ মূৰত অনেক পুৰুষাৰ্থ কৰি বিওবা এবাৰ তেওঁক লগ ধৰি আমাৰ দুখৰ কথা ক'লত বিধতাই আমাক ডবিয়াই হঁকিয়াই খেদি দিলে।"

এইদৰে দুয়ো বুধি পাতি আহি ঘৰ ওলালত চৰাইবোৰে টোকোৰাক আৰু মাছবোৰে চিতলক "কি শুণ, কি বেজনা পিকিলি, কি বুজিলি" বুলি সুধিলত দুয়ো মিছাকৈ চকুৰপানী টুকি ক'লে, "ককাইহঁত। আমাৰ দুখৰ কথা আৰু কি কম ? কোনে পতিয়াব ? যাকে কম সেয়ো ...িয়াৰ। প্ৰথমতে গৈয়েই বিধতাৰ ওচৰলৈ ...

বিলোঁ। খিধতাৰ ঘৰৰ দুৱাৰমুখ পালতে দুৱৰীয়ে গতাৰ তাপত মূৰ ছিঙিবলগীয়া কৰিলে। তাৰ পিছত তিনদিন ওচৰতে লেকাত লাগি শুকাই-উৰাই খাপ দি পৰি আছিলোঁ। তিনিদিনৰ মূৰত এবাৰ খিধতাক বাহিৰলৈ ওলাই অহা দেখি উঠি গৈ কান্দি-কাটি ভৰিত দীঘল দি পৰি আমাৰ দুখৰ কথা ক'লত, তেখেতে আমাৰ দুখ পতিয়াওক ছাবি ভৰিয়াই হুঁকিয়াই আমাক খেদিহে দিলে।"

টোকোৰা আৰু চিতলৰ এই কথা শুনি বাইজে দুখ বেজাৰ কৰি থাকিল। কিন্তু লাহে লাহে দেখা গ'ল, টোকোৰাই কাকিনি তামোলৰ আগত আৰু চিতলে বৰ ডুবিৰ অগাধ দ পানীত সুন্দৰকৈ বাহ সাজি কণী পাৰি সপৰিয়ালে মহাসুখেৰে আছে। এই কথা দেখি মাছ আৰু চৰাইবোৰে বুজিব পাৰিলে যে চিতল আৰু টোকোৰাই বিশ্বাসঘাতকতা কৰিলে। সিহঁতৰ খৰ খং উঠিল। চৰাইবোৰে টোকোৰাৰ চুলিকোছাত ধৰি তাক টোঁচোৰাই আনি গতিয়াই-ভুকুৱাই বেজান কৰি ক'লে যে, "তোক আমি একেবাৰেই বধ নকৰোঁ, কিন্তু বিশ্বাসঘাতক আৰু মিত্ৰৰ দ্ৰোহীয়াক উপযুক্ত শাস্তি নিদি নেৰোঁ। সেইদেখি আমি এটায়ে তোৰ মূৰত একোটাকৈ লাথি মাৰি যাম।" এই বুলি যত চৰাই আছিল এটাই-বোৰে গাইপতি টোকোৰাৰ মূৰত এটা-এটাকৈ লাথি মাৰি গ'ল। লাথিৰ কোবত টোকোৰাৰ মূৰৰ চুলি সৰি মূৰ টকলা হ'ল। সেইদেখি তেতিয়াৰে পৰা টোকোৰাৰ মূৰত চুলি নাই।

মাছবোৰেও চিতলক সেইদৰে কৈ তেনেকুৱা শাস্তি দিলে। সেইদেখি এটাইবোৰ মাছৰ লাথি খোৱা বাবে চিলতৰ মূৰটো সৰু আৰু চেপেটা হ'ল আৰু গাটোও চেপেটা পৰিল।

বুঢ়া আৰু শিয়াল

সত্য কালত আছিল বুঢ়া খেতিয়ক এটা।
শিয়াল এটাই দেখিলে তাক কচুগুটি পোতা॥
ওচৰচাপি সুধিলে শিয়ালে—"ককা! কি কৰিছা?"
"কচু কইছোঁ, নাতি!" বুঢ়াই কলে, "এই থইছা।"
"নাই জনা কথ তুমি কচুগুটি ককা।
প্ৰথমতে কচুবোৰ সিজাই লোৱা একা॥
গান্ত খানি, খেৰ পাৰি কচু দিয়া তাত।
একোতোখৰ চকুৱাৰে চাকা সেই গাঁত॥
তাৰ ওপৰত মাটি দি কচু থোৱা কই।
বাভিটোতে তাৰৰ হব, ঠিক ক'লো মই॥"
শিয়ালৰ বুদ্ধি শুনি বুঢ়াই কচু কই।
মহাসুখে পাটাত পৰি থাকিল শুই॥
খাহ শিয়ালে কোচাল কৰি দুপৰ ৰাতি।
ৰংমনে কচু খালে খান্দি খান্দি মাটি॥
পুৱাই বুঢ়াই কচুবাৰীত কচু চাবলৈ গৈ।
দেখে কচু নাই; আছে গাঁত উদং হই॥
তেতিয়া বুজিলে বুঢ়াই শিয়ালৰ ফাঁকি।
নিজৰ মনত খিকাৰ দি লাজ লুকালে ৰাখি॥

"দুৰ্জ্জনৰ বুদ্ধি যি নিৰ্বিচাৰি লয়।
কচু খোৱা বুঢ়াৰ দৰে তাৰ গতি হয়॥"

তেলীয়াসাবেং আৰু কেচু

টোকোৰাই বিশ্বাসঘাতকতা কৰাৰ পিছত চৰাইখিনিয়ে দেখিলে যে সিহঁতক এজন ৰজা লগা হ'ল, নহলে আৰু নচলে। হংস্যনৰিলাক চৰাইৰ ভিতৰত যেতিয়াই যাৰে যিহকে মন যায় গৈ তাকে কৰে, কাৰো হাকবচন কোনেও নুশুনে, কোনেও নেমানে। চুৰি-ডকাইতি, মিছা-কোৱা আদি অধৰমৰ কাম সিহঁতৰ ভিতৰত ইমান বাঢ়ি আহিবলৈ ধৰিলে আৰু সকলো ইমান উদণ্ড হৈ উঠিল যে ৰজাৰ শাসন লগা হ'ল। সেইদেখি সিহঁতক ধৰমমতে শাসন-পালন কৰিবলৈ সিহঁতে সিহঁতৰ ভিতৰতে এজনক ৰজা পাতিবলৈ খিৰ কৰি সকলোকে জাননী দিলে। ৰজাৰ লক্ষণ গাত থকা তেলীয়াসাবেঙকে ৰজা পাতিবলৈ মন কৰি, ভাল দিন-বাৰ চাই শুভ ক্ষণত ৰাজপাটত বহুৱাবলৈ থিৰ কৰিলে। এই খাতৰি লৈ গৈ তেলীয়াসাবেঙক দি আহিবলৈ কাউৰীৰ গাত ভাৰ পৰিল। কাউৰীয়ে তেলীয়াসাবেঙৰ ওচৰ পাই ওলগ লৈ ক'লে, "আপোনাৰ ওচৰলৈ বাইজে মোক পঠিয়াই দিছে।" তেলীয়াসাবেঙে মৈণীয়েকক মাত দিলে, "শুনিছানে, হয়! শুনিছ, কলৈ গলি, ওলাই আহচোন, আলহীক বহিবলৈ চৰা এখনকে পেলাই দেহি। তামোলৰ টাটোও লৈ আহিবি।" গিৰিয়েকৰ মতা শুনি তেলীয়া-সাবেঙণীয়ে লহুপহুকৈ আনি তামোলৰ বটাটো মাটিত থৈ, বাৰত আঁৰি থোৱা নেৰচৰা এখনি পাৰি দিলত কাউৰী তাতে বহিল। কাউৰীয়েনো বাইজৰ পৰা কি আজ্ঞা আনিছে, এই কথা তেলীয়াসাবেঙে কাউৰীক সোধাত কাউৰীয়ে পোনতে আমাৰচেৰেক 'কা'-'কা' কৰি ডিঙিটো ধৰিকাই লৈ মাত লগালে, "বাইজ বুলিলে ৰজা; বাইজৰ হুকুমত পিথপি কাট মেলে। এতেকে 'কা-'কা'-'কা'; বাইজৰ হুকুম শিৰত লৈ মই আহিছোঁ। ধৰ তাল ৰজা, 'কা'-'কা-'কা'—কিবা বোলে নে—খবৰ। বাইজে আপোনাক সকলো 'চৰাইৰ ওপৰত ৰজা পাতিবলৈ

মনোগত কৰি মোক পঠিয়াই দিলে। বগলী বাপুৱে পুথি-পাঁজি চাই কৈছে, কাইলৈ হেনো দিনটো ভাল আৰু পুৱা ঠিক ডেৰপৰ বেলি যোৱাত আপুনি ৰজাৰ খাটোলাত উঠিব লাগে। সেই সময়তে হেনো শুভ লগ্ন বহিছে। এতেকে আপুনি আজিৰে পৰা সাজু হব লাগে।" তেলীয়াসাৰেঙে এই বাতৰি শুনি তাৰ হাতত কোনোবাই সোণৰ সোলেং এটা তুলি দিয়া যেন পালে। তাৰ আৰু ঘৈণীয়েকৰ আনন্দৰ সীমা নোহোৱা হ'ল। আৰু আনন্দৰ লগে লগে তেলীয়াসাৰেঙে ভাবিলে যে এতিয়া ৰজাৰ যোগ্য ভাৱ-গতিৰে তাৰ চলা উচিত। ইয়াকে ভাবি সি উত্তৰ দিলে, "বৰ্তিয়া কথা, ৰাইজৰ হুকুমত নমৰিলেও চকু মুদিব লাগে বুলি কয়। ৰাইজে যেতিয়া হুকুম দিছে মই হম ৰজা।" গহীন ভাৱে কথাকেইষাৰ কৈ তেলীয়াসাৰেঙে মৌন হৈ ৰ'লত কাউৰীয়ে মাত লগালে, "আৰু এটা কথা আছে। বগলী পণ্ডিতদেৱে ব্যৱস্থা দিছে যে আপুনি ৰজাৰ খাটোলাত উঠাৰ আগেয়ে বিধিমতে গা ধুই শুধ হৈ লব লাগিব। সেইদেখি এজকা তেল ওচৰতে জুইত উতলাই ৰখা হব আৰু আপুনি সেই তেলতে প্ৰথমতে জোবোৰা এটা মাৰিহে খাটোলাত উঠিব পাৰিব।" কথাষাৰ শুনি তেলীয়াসাৰেঙে ভাবিলে—"কি সৰ্ব্বনাশ! তপত তেলত জোবোৰা মাৰিবলৈ গলে যে গাৰ ছাল যাব।" গিৰিয়েকে অলপ ভাবি থকা দেখি ঘৈণীয়েকে ক'লে, "আপুনি একো চিন্তা নকৰিব। মই আপোনাৰ গাত ভালকৈ মাহ-হালধি ঘঁহি দিম। তপত তেল আপোনাৰ গাত পিছলি যাব, নালাগেই।"

ইয়াৰ পিছত কাউৰী গুচি আহিল। তেতিয়াৰে পৰা তেলীয়াসাৰেঙে ৰজা হলোঁৱেই বুলি ভাবি কথা-ৱতৰা, উঠা-বহা, ফুৰা-চকা আদি কামবোৰ গধুৰকৈ কৰিবলৈ ধৰিলে। পিছ দিনা পুৱাই সি হাত-মুখ ধুই নাপিত মতাই আনি ডাড়ি-মুৰ খুৰুৱাবলৈ বহিল। ৰজাৰ গঢ়েৰে গধুৰকৈ লাহে-ধীৰে তেলীয়াসাৰেঙে ডাড়ি-মুৰ খুৰুৱাই থাকোঁতেই সিফালে ডেৰপৰ হৈ শুভ লগ্ন উকলি যাবলগীয়া হলগৈ। ম'ৰা, শগুণ, চিলনী, কাউৰী, বগলী, হাঁহ, মইনা, শালিকা, ডাটো আদি চৰাইবোৰে বাট চাই আছে, তেলীয়াসাৰেং আহিব, আহি সি তপত তেলত জোবোৰা মাৰিব ; মাৰি ৰজাৰ খাটোলাত উঠিব আৰু সিহঁতে তাক ৰজা বুলি আঠু লৈ সেৱা কৰিব। কিন্তু ইফালে তেলীয়াসাৰেঙৰ তেতিয়াও ডাড়ি-মুৰ খুৰোৱা শেষেই নহ'ল। যোৱা-যোৱে চৰাই তেলীয়াসাৰেঙক মাতিবলৈ আহিছে, সিফালে লগ্ন উকলি যায় ; তথাপি তাৰ গাৰেই নলৰে। শেহত চৰাই-বোৰ নিৰুপায় হৈ মুৰে-কপালে হাত দি বহি আছে।

এনেতে সমজ্যাৰ মাজৰ পৰা ফেচুৱে এবে সোপেই উঠি হাত-যোৰকৈ ৰাইজক ক'লে, "ৰাইজসকল! তেলীয়াসাৰেং নাহিল নাই। ময়েই ৰজা হম।" এই বুলি সি ৰাইজৰ অনুমতিলৈ বাট নাচাই দলিটো যোৱাদি গৈ তপত তেল জকাত জোবোৰা মাৰি থিতাতে খাটোলাত উঠিলগৈ।

সকলো সভাসদে কামটো কি হ'ল, প্ৰথমতে ভালকৈ ধৰিবই নোৱাৰিলে। কন্তেকৰ পিছতে তেওঁলোকে ফেচুৰ পৰম বিক্ৰম আৰু সাহ দেখি হৈ ধ্বনি দি তাক শলাগিবলৈ ধৰিলে, আৰু নিজৰ ৰজা বুলি সকলোৱে ফেচুৰ আগত আঠু ললে। তেলীয়া-সাৰেং ডাড়ি-মুৰ খুৰোৱা ঠাইতে থাকিল। ইয়াৰ আগেয়ে হেনো ফেচুৰ বৰণ বগা আছিল। কিন্তু সেই তপত তেলত জোবোৰা মাৰিবৰ দিনৰে পৰা তাৰ বৰণ ক'লা হ'ল বুলি বুঢ়ালোকে কয়।

"শুভ কাৰ্য্য শীঘ্ৰ কৰি কৰিবা সোণাই।
বিলম্বত কাৰ্য্য নাশ জানিবা সদায়॥"

গণ্ডাটোপ

(১)

মাছবোৰে ধৰধিলৰ ধৰভুৰিত বহি।
শত্ৰুনাশ, আপোন-ৰক্ষাৰ মেল পাতিলেহি॥
বৌ আহিল, ধৰ লি আহিল, সেলুবীয়া পুঠি।
গল মেলি ৰবগলা, মিছা মুঠি মুঠি॥
টপা মুৰা পকা-গৰে সভাপতি হ'ল।
তৰ্-খৰ্ চেঙেলিলৈ পাচলিৰ বাব ৰ'ল॥
সভাপতিৰ আজ্ঞা পাই গণ্ডাটোপ মণি।
কি মনেৰে পতা হৈছে বুজালে মেলখনি॥
"চাৰিউ পিনে শত্ৰু আমাৰ বাঢ়িল বিস্তৰ।
সকলোতকৈ মানুহবোৰ. জানা শত্ৰু বৰ॥
কত বুদ্ধি কৰি আমাক ধৰিব লাগিছে।
মানুহ যদি মাৰিব পাৰোঁ মনৰ শাল গুচে॥
দুখৰ কথা গেদ্‌গেদী এই সভাত নাই।
তেনে বুধি তেওঁৰ পৰাহে ওলায়॥"

(২)

'গেদ্‌গেদীক মাত' 'গেদ্‌গেদীক মাত' উঠিল
মেলত ৰোল।
মাতিবলৈ পৰৈচিবিকাক পঠিয়াই দিয়া গ'ল॥
পৰৈ-লৰাই মাত দিলে ৰবৰ কাষ পাই।
গেদ্‌গেদী সমাহলৈ যায় লে সেকায়?
তলি চিক্‌চি-ধিক্‌চি উঠি গেদ্‌গেদী মাছী।
'নেযাওঁ, ভাটি যা' বুলি নপালে তেজকাই॥

গৰৈ-চিৰিকা গুচি আহিল অপমান পাই ।
আহি জান দিলে,—'নাহে গেদ্‌গেদী বাই ॥
শুনি মেলৰ বৰ বৰমূৰীয়া গৰৈ ডাঙৰীয়া ।
পাচনিক ক'লে, "গঙাটোপক পাচি দিয়া ॥"
গঙাটোপ আহি অতি সুৰীয়া মাতেৰে ।
মাত দিলে মাহীয়েকক নতুন ঠগেৰে ॥
"কাঞ্চনমতী আই মোৰ ! কাঞ্চনমতী আই !
বাইজৰ সবাহলৈ যায় কি নেযায় ?"
শুনি বৰ ৰং পাই গেদ্‌গেদী মাহী ।
উত্তৰ দিলে গঙাটোপক মিঠা মাৰি হাঁহি ॥
"ভাল-মানুহে জানে ভাল লোকৰ মোল ।'
সোণাই মোৰ গঙাধৰ ব্ৰোপা নে হে কোন ?
যাম নিশ্চয় সবাহলৈ এতিয়াই মই ।
ফোঁট, বেষা লওঁতে মাথোন বিকণ বেলি হয় ॥"

(৩)

গেদ্‌গেদীৰ শলাগ শুনি গঙাধৰ বোপা ।
গপত ওফন্দি পৰি হ'ল ডাঙৰ সোপা ॥
ভাবি ভাবি ফুলি ফুলি যাওঁতে উভতি ।
সভাৰ কাষ পাই মৰিল ধুম্ কৰে ফুটি ॥
শব্দ্‌ শুনি সমজুৱাই ভয় খাই বৰ ।
সভা ভাঙি দিহাদিহি পলাল মাৰি লৰ ॥

"মিছা প্ৰশংসাত ফুলে যি মূৰ্খমতি ।
সি পায় ঠিক জানা গঙাটোপৰ গতি ॥"

বৰাগী মেকুৰী

এটা বোন্দামেকুৰী লাহে-লাহে আৰু এন্দুৰ, চৰাই আদি ধৰিব নোৱাৰা হলত খোৱাৰ দুখত পৰিল । এদিন সি মনে-মনে এটা বুধি সাজি, এঘৰৰ চোতা-লত পৰি থকা ধানখেৰৰ পকোৱা বিৰিয়া এটা দেখি তাকে তাৰ ডিঙিত সুমাই লৈ হাধিলৈ গ'ল । এটা চুতীয়াশালিকাই তাক তেনেকৈ যোৱা দেখি সুধিলে—"ককাই ! সেইডাল তোমাৰ ডিঙিত কি ?" মেকুৰীটোৱে গহীনকৈ উত্তৰ দিলে, "ভাইটি ! এইডাল তুলসীৰ মলা । মোৰ গুৰুৱে মোক পিন্ধি-বলৈ দিছে । মই গুৰুৰ ওচৰত মন্ত্ৰ লৈ বৈষ্ণৱ হৈছোঁ । এতিয়া ধৰ্ম্ম-কৰ্ম্মত মোৰ মতি হৈছে, পৰকালৰ চিন্তাৰ বাহিৰে মোৰ মনত আৰু একো একো চিন্তা নাই । সেইদেখি বৃন্দাবনলৈ যাওঁ বুলি ওলাই আহিছোঁ । বাকী কেইটা দিন কৃষ্ণক চিন্তি বৃন্দাবনতে কটাওঁ বুলি থিৰ কৰিছোঁ । হৰি ভগৱন্ত ৰত্নে মনৰ কামনা সিদ্ধি কৰিলেই হয় ।" শালিকা-টোৰো বয়স হৈছিল, সেইদেখি মেকুৰী বৰাগীৰ কথাই তাৰো মনত বৰাগীৰ ভাৱ ওপজালে । শালিকাই মাত লগালে, "সঁচা কৈছা ককাই । মইও বুঢ়া হৈ আহিছোঁ । বিষয়ৰ সুখ আৰু ভাল নালাগে । মইও বৰাগী হৈ তোমাৰ লগতে বৃন্দা-বনলৈ যাওঁ বুলি ভাবিছোঁ । সাধুৰ সঙ্গ লাগে বুলিলেই সততকাই পোৱা নাযায় । মোৰ মহা-ভাগ্য যে তোমাক পাইছোঁ ।" মেকুৰীয়ে উত্তৰ দিলে, "সচ, সচ, মইও তোমাৰ নিচিনা সাধু-লোককহে বিচাৰিছিলোঁ । আহাঁ, একে লগেই যাওঁহঁক ।" এই বুলি শালিকাক লগত লৈ মেকুৰী গৈ আছে । এনেতে বাটতে এটা কেঁচুৰে সৈতে তাৰ দেখা হ'ল । কেঁচুৱে তাক সুধিলে, "মেকুৰী ককাই ! আজিনো এইটো কি ভেশ ? একেবাৰেই দেখোন উদাসীন ভকতটি হৈ আলধৰা এটি পাচত লৈ আৰু লাখুটি এডাল হাতত লৈ গুন্‌গুন্‌ কৰে হৰিনাম গাই যাব লাগিছা ?"

কেঁচুৰ কথা শুনি মেকুৰীয়ে থমকি ৰৈ লাখুটিত ভিৰ দি ক'লে—"বাহৰ কৃষ্ণ । আতৈয়ে যি সুধিছে সচ কথা । আতৈ । মই বৃন্দাবনলৈ যাওঁ বুলি আহিছোঁ । বুঢ়া হলোঁ, এতিয়াও ধৰম-কৰম নক-ৰিলে পৰকাললৈ কি লৈ যাম ? সেইদেখি আতৈ ভগৱন্তৰ নামগুণ গাই বৃন্দাবনতে থাকি শেষ কাল-ডোখৰ নিয়াওঁ বুলিছোঁ ।"

মেকুৰীৰ কথা শুনি কেঁচুৱেও অলপ পৰ ভাবি কলে, "আতৈ । তোমোৰাই সচ কাম কৰিছে । আজি কিছুমান দিনৰ পৰা মোৰও কিবা বিষয়ত বিৰকতি জনমি আহিছে ; মইও তোমোৰাৰ লগতে বৃন্দাবনলৈকে যাওঁ । বয়স হৈ আহিছে । ডেকা কালৰ তেজ আৰুতো মোৰ গাত নাই ।" এই বুলি কেঁচুৱো মেকুৰীৰ লগতে বৃন্দাবনলৈ যাবলৈ ওলাল ।

সিহঁত তিনিও গৈ আছে । এনেতে বাটতে এটা শিলকপৌৱে সৈতে তিনিওৰো দেখা হল । শিলকপৌৱেও মেকুৰীৰ মুখৰ পৰা সকলো কথা শুনি সিহঁতৰ লগতে বৰাগী হৈ বৃন্দাবনলৈ যাবলৈ ওলাল ।

এইদৰে সিহঁত গৈ থাকোঁতে গধূলি হলত—সিহঁতে ৰাতিটো কটাবলৈ এজোপা গছৰ খোন্দ এটাত সোমাই থাকিল । মেকুৰীয়ে খোন্দটোৰ মুখৰ কাষে শুই থাকিবলৈ লৈ সিহঁতক কলে, "আতোকল । মই দুৱাৰমুখতে তোমোৰা সকক ৰখি পৰি থাকোঁ । তোমোৰাসৱে সুখে ভাগৰে আহিছে, ভিতৰত শয়ন কৰক ।"

ৰাতি তিনি পৰমান হলত মেকুৰীয়ে উঠি চুতীয়াশালিকাক মাত লগালে,—"শালিকাবাৰ আতৈ ।

তোমোৰাৰ নিদ্ৰা ভাগিছে নে ? ভাগিছে যদি এই কালে মোৰ ওচৰ চাপি আহাচোন,। আমি অলপ কৃষ্ণ-কথাৰ আলাপ কৰোহঁক।" শালিকা উঠি মেকুৰীৰ ওচৰলৈ আহিলত মেকুৰীয়ে কলে,"আতৈ। মোৰ প্ৰভু কৃষ্ণদেৱক বকাসুৰে কেনেকৈ গিলিছিল আপুনি জানে নে ?" শালিকাই কলে, "নাজানো।" "নাজানে যদি আহক মই সেই লীলা কৰি দেখুৱাওঁ।" এই বুলি সি শালিকাক খাই পেলালে। কেঁচু আৰু কপৌৰ এনেতে টোপনি ভাগিল। সিহঁতে দেখিলে—সৰ্ব্বনাশ। সিহঁত দুৰ্জ্জন মেকুৰীৰ ফাঁকিত পৰিল। ভয়ত দুয়ো থক্-থক্ কৰে কঁপিবলৈ ধৰিলে। এনেতে মেকুৰীয়ে শিলকপৌক মাতিলে, "আতৈ। মোৰ কৃষ্ণদেৱে অঘাসুৰৰ লীলা কেনেকৈ কৰিছিল সেই কথা তোমোৰাক দেখুৱাওঁ। মোৰ ওচৰ চাপি আহক।" এই বুলি টানি আনিলত দুইৰো জোটাপুটি লাগিল। এই সুৰুঙতে কেঁচু খোন্দৰ পৰা ওলাই ভুকুং কৰে উৰি গল। কিন্তু শিলকপৌৰ মূৰটো একে কামোৰেই মেকুৰীটোৱে চোবাই পেলাই কাম শেষ কৰিলে।

"শঠ দুৰ্জ্জনত জানা পতিয়ন নাই,
পতিয়ালে বিপদক পদে-পদে পায়।"

বান্দৰ আৰু শিয়াল

(১)

বান্দৰ শিয়ালে সখি বজাই আলিৰ কাষত আছে।
থিয়াৰ গাখীৰ কলৰ ভাৰী দেখা পালে পাছে॥
বান্দৰে বোলে, "শিয়াল সখি। বুধি এটা কৰি।
খাব লাগিল গাখীৰ-কল কৰি লৰালৰি॥"
শিয়ালে কলে, "জোপাৰ মাজত লুকাওঁ সাজু হোৱা।
ওচৰ পালেই বুলিম 'হোৱা' তুমি বুলিবা 'খোৱা'॥
গাখীৰ গুড়ৰ ভাৰ পেলাই ভয়ত মাৰিব লৰ।
হাবিত বহি সুখে খাম বং হব বৰ॥"
যেনে আলচ, তেনে কাম, তেনে ফল হ'ল।
গাখীৰ-গুড় কঢ়িয়াই দুয়ো হাবিৰ মাজলৈ গ'ল॥
বান্দৰে পাঙিলে শিয়ালক সি দি এটা ফাঁকি।
অকলৈ সোপাকে খাব একোকে নাৰাখি॥
বান্দৰে বোলে, "শিয়াল সখি। ভাবিছা নে নাই ?
উভতি আহি সিহঁতে যদি আমাক ইয়াত পায়।
মাৰিকিলাই কাঢ়ি নিব এই বস্তবোৰ।
তাৰ আগতে গছত তোলোঁ এয়ে মত মোৰ॥
মোৰ ভাগ গছত খাম, তোমাৰ পেলাই দিম।
নিৰাপদে দুয়ো খাই তৃপিতি লভিম॥"
"বেছ কৈছা বান্দৰ সখি, তেনেকুৱা কৰোঁ।
দাঙি দিওঁ বস্তবোৰ হোৱা সখি ধৰা॥"
এই বুলি শিয়ালে বস্তু বান্দৰক দিলে।
সোপাকে বান্দৰে নি গছত তুলিলে॥
তুলি আঁতাই ডালত বহি টিমক বান্দৰে।
দুই হাতে মুখত সুমায় কপ্‌কপ্ কৰে॥
কল খাই বাকলিটো, গুড় খাই টেকেলি।
তললৈ পেলাই দিয়ে "ধৰা সখি" বুলি॥
কুঁহিয়াৰ খাই চোবা আৰু গাখীৰ খাই কলহ।
"খোৱা" বুলি শিয়ালক সি দিয়ে ওগাইৰহ॥
শিয়ালে দেখিলে বান্দৰৰ সি ফাঁকিত পৰিল।
খং-বেজাৰ মনত বান্ধি ঘৰলৈ লৰিল॥

(২)

ভালেদিনৰ মূৰত এদিন বান্দৰে দেখিলে।
বেজকচুডৰা এঠাইত ৰখিছে শিয়ালে॥
হাঁহি হাঁহি ওচৰ চাপিল সখি-শিয়ালৰ।
'কি ৰখিছা সখি' বুলি সুধিলে বান্দৰ॥
"কুঁহিয়াৰ এইডৰা ৰখিছোঁ ৰজাৰ।"
শিয়ালে উত্তৰ দিলে শুনা কথাষাৰ॥
"সখি একামোৰ খাও দিয়া অনুমতি।"
বান্দৰে খুজিলে কৰি বৰকৈ কাকুতি॥
"নোৱাৰোঁ। খাবলৈ দিব লাগিব জগৰ।"
শিয়ালে বান্দৰক কলে "গুচি যোৱা ঘৰ॥"
বান্দৰে নেৰিব দেখি অন্তত শিয়ালে।
মনে মনে এডাল মাথোন খাবলৈ কলে॥
হেপাঁহত কচু ভাঙি বান্দৰে চোবায়।
খজুৱতিত খকুৱাৰ মুখ উখহি যায়॥
"সখি মৰিলো, সখি মৰিলো" চিঞৰে বান্দৰ।
"কেনে সেকা পাইছ" বুলি শিয়ালে দিলে লৰ॥

(৩)

টেকেলীয়া কোদো এবাহ শিয়ালে ৰখিছে।
কি কৰিছা সখি বুলি বান্দৰে সুধিছে॥
"ৰজাই এইটো ঢোলৰ মোক পাতিছে ৰখীয়া।"
শুনি বান্দৰ উত্ৰাৱল মনত নাচে হিয়া॥
"বজাবলৈ এচাপৰ দিয়া মোক সখি।"
"নোৱাৰোঁ। ৰজাই মোক কাটি পেলাব দেখি॥"
"দিয়াঁ দিয়াঁ দহোকুৰি এচাপৰ খাওঁ।"
বুলি বান্দৰে শিয়ালক কৰে কাওবাও।
দেখি শিয়ালে 'মোৰা' বুলি কোৱা মাত্ৰকত।
মাৰিলে কোদোৰ বাহত সি পটাপট॥
বেঢ়ি ধৰি কোদোৱে তাক কামুৰি কামুৰি।
কৈলে ভীষাকাৰ গাল, মুখ, হাত, ভৰি॥
"সখি মৈলোঁ, সখি মৈলোঁ" চিঞৰে বান্দৰ।
"গাখীৰ খাই টেকেলি দিয়াৰ ভুলি গলো মোৰ॥"

বুলি শিয়াল গুচি গ'ল বান্দৰক এৰি।
বান্দৰে গগণ ফালে চিঞৰি চিঞৰি॥

(৪)

এদিন আকৌ যেনে হল কওঁ শুনা কথা।
ৰখি আছে শিয়াল সখি পাটনাদ এটা॥
মকৰা জালেৰে ছুতা পাটনাদৰ মুখ।
দূৰৰ পৰা দেখি বান্দৰে পালে মহাসুখ॥
কি কৰিছা সখি বুলি বান্দৰে সুধিলে।
"ৰজাৰ দোলা ৰখোঁ" বুলি শিয়ালটোৱে কলে॥
"উঠিবলৈ দিয়াঁ মোকো মৰমৰ সখি।
সঁচাকৈয়ে মোৰ বৰ মন গৈছে দেখি॥"
'শিয়ালে' 'নোৱাৰোঁ মোক ৰজাই দণ্ডিব।'
বান্দৰে ডাঢ়াই ক'লে "কোনেনো দেখিব?"
এই বুলি কুতুৰি বান্দৰে শিয়ালক।
নাদত জাঁপ মাৰি পৰি মৰিল খিতেকতে॥

বিশ্বাসঘাতকৰ জানা এনে ফল হয়।
সদ্যে লাভ, পিছে কিন্তু নিশ্চয় প্ৰলয়॥

ধুৰী ছাগলী

এটা মানুহে এদেশৰ পৰা আন এখন দেশত বেচিবলৈ এজাক ছাগলী লৈ গৈছিল। বাটত যাওঁতে জাকৰে ছাগলী এজনী এঠাইত উজুটি খাই পৰি খোৰা হৈ পৰিলত মানুহটোৱে তাইক তাতে এৰি থৈ আনবোৰ ছাগলী লৈ গুচি গ'ল। সি য'ত ধুৰী ছাগলীজনী এৰি থৈ গৈছিল সেইডোখৰ বাটৰ ওচৰত কোনো মানুহৰ ঘৰ-বাৰী নাছিল। বৰ অগাধ হাবি। গধূলি হ'লত ছাগলীজনীয়ে নিৰুপায় হৈ খোৰাই-খোৰাই লাহে-লাহে গৈ হাবিত সোমাই কোনোমতে এটা টিলাত উঠি ৰ'ল। ৰাতি শিয়াল এটাই সেই পিনে যাওঁতে দেখিলে যে তাত দীঘল ডাড়িৰে কিবা জন্তু এটা আছে। শিয়ালটোৱে ওচৰ চাপি আহি ছাগলীক মাত লগালে,—

"লম লম ডাঢ়ি ঘনে কৰে বিলাস
এই হেন পুৰুষে খাটে বনবাস।"

ছাগলীয়ে গল্‌গলীয়া মাতেৰে উত্তৰ দিলে,—

"বাঘ খাওঁ, ঘোং খাওঁ আৰু খাওঁ হাতী
আপোনাৰ আনন্দত ফুৰোঁ দিনে-ৰাতি।"

শিয়ালে এই উত্তৰ শুনি ভাবিলে, "কি ভয়ানক! এইটো জো কম জন্তু নহয়। ই হেনো বাঘো খায়, ঘোঙো খায়, আমাৰ নিচিনা ক্ষুদ্ৰ প্ৰাণীবজো কথাই নাই।" ইয়াকে ভাবি শিয়াল তাৰ পৰা লৰি পলাই ভালুকৰ কাষ পালেগৈ। সি কোঁপাইজোপাই ভালুকক ক'লে, "ককা! বৰ অথন্তৰ মিলিল; ইয়াত এটা কিবা ভয়ঙ্কৰ জন্তু ওলাইছেহি। সি হেনো আমাৰ নিচিনা সৰু সৰু জন্তু তো খায়েই আপোনালোকৰ নিচিনা ডাঙৰ-ডাঙৰ প্ৰাণীকো খায়! আৰু পেটতে হাত-ভৰি লুকুৱা কথা—বোলে বাঘ আৰু হাতীকো খায়।"

ভালুকে শিয়ালৰ কথা শুনি "ব'লচোন বাৰু চাওঁগৈ, সেইটো নো কি জন্তু ওলাইছেহি।" এই বুলি ধুৰী ছাগলীৰ ওচৰ ওলালহি। শিয়ালে দূৰৰ পৰাই ছাগলীজনীক আঙুলিয়াই দেখুৱাই দিয়েই পলাল। ভালুককো ছাগলীজনীয়ে সেইদৰে উত্তৰ দিলত, ভালুকে ভয় খাই তাৰ পৰা গুচি গৈ সেই কথা বাঘক কলে। বাঘে শুনি অপমান পাই গুজৰি গুমৰি ছাগলীজনীৰ ওচৰ পালত, ছাগলীজনীয়ে ৰৰকৈ ডাঢ়ি জোকাৰি ওপৰত কৈ অহা দৰে গল্‌গলীয়া মাতেৰে উত্তৰ দিলত, বাঘেও ভয় খাই গুচি গ'ল। এনেতে সেইপিনেদি এটা দঁতাল হাতী নিজৰ জাকেৰেসৈতে যাওক। দঁতালে সুধিলে, "হে দেও, আপোনাক স্তুতি কৰি মাতিছোঁ, আপুনি কোন কওক।" ছাগলীয়ে উত্তৰ দিলে—"মই সিংহৰ মাহীয়েক।" এই কথা শুনি দঁতালে আঠু কাঢ়ি শুৰ তুলি ৰহিলত, ছাগলীজনীয়ে তিনি ঠেঙেৰে জাঁপ মাৰি তাৰ পিঠিত উঠিল। উঠি তাই কলে, "শুন গজেন্দ্ৰ! তই মোক সিংহৰ ওচৰলৈ লৈ ব'ল।" ছাগলীজনীক পিঠিত লৈ সি সিংহৰ ওচৰ পালেগৈ। হাতীটো ৰহিলত তাৰ পিঠিৰ পৰা ছাগলীজনী নামি তাক আঁতৰি থিয় হবলৈ কলে। হাতী আঁতৰি গলত, ছাগলীয়ে লাহে লাহে সিংহৰ ওচৰ চাপি সিংহক সেৱা জনালে। সিংহই তাইক "তই কোন" বুলি সুধিলত, আগৰ পৰা শুৰিলৈকে তাইৰ সকলোবোৰ বৃত্তান্ত সিংহৰ আগত বৰ্ণাই, শেহত ক'লে, "মহাৰাজ! মই আপোনাৰ মাহীয়েক বুলি আপোনাৰ নামৰ বলত কোনোমতে ৰক্ষা পাইছোঁ। এতিয়াও আপুনি মোক অভয় দি ৰাখিলেহে ৰখা, নহলে মোৰ নিচিনা ক্ষুদ্ৰ প্ৰাণী এই হাবিত ক্ষন্তেকো উৰি যাব।" এই কথা শুনি সিংহই সন্তোষ পাই ধুৰী ছাগলীক অভয় দি ক'লে, "তই কোনো ভয় নকৰিবি। তই মোৰ মাহী বুলি এই হাবিত নিজৰ ইচ্ছামতে খাই-বৈ ফুৰ। তোক কোনেও একো কৰিব নোৱাৰে।" তেতিয়াৰ পৰা সেই ধুৰী ছাগলীয়ে সেই বনতে বুঢ়ী হৈ মৰবালৈকে নিজৰ ইচ্ছামতে খাই-বৈ ফুৰিছিল।

"মহৎ লোকৰ নামৰ মহত্ত,
সৰু লোকে পাকে সুখত।"

সাপ আৰু খেতিয়কৰ জীয়েক

এটা খেতিয়কৰ দুজনী ঘৈণীয়েক আছিল। সৰুজনী লাগী আৰু ৰবজনী এলাগী। দুইজনী ঘৈণীয়েকৰ দুজনী জীয়েক। গিৰিয়েকে এলাগীক দেখিব নোৱাৰে, জীয়েককো দেখিব নোৱাৰে। তাৰ উপৰি লাগীয়েও দিনে-ৰাতিয়ে সিহঁতক ৰবকৈ দুখ দিয়ে আৰু গোবৰ পেলোৱা, ধান বনা, ছুৱা-ধোৱা আদি দুখৰ বনবোৰ এলাগী আৰু তাইৰ জীয়েকক কৰিবলৈ দিয়ে।

এদিন বাপেকে এলাগীৰ জীয়েকক পথাৰত পকা ধান ৰখিবলৈ পঠিয়াই দিলে। বটা চৰাইবোৰ ধান খোৱা দেখি এলাগীৰ জীযেকে এই বুলি সিহঁতক হৰাই দিছিল :—

"হুৰ্ হুৰ্ বটা চৰাই।
মোৰ ধান নেখাবি,
তোক দিম গোটে কৰাই।"

এইদৰে মাতি মাতি চৰাই খেদাওতে হাবিৰ মাজৰ লেটেকু গছ এজোপাৰ পৰা উত্তৰ আহিল।—

"হুৰ্ হুৰ্ বটা চৰাই।
আঘোণত সাপে তোক বিয়া কৰায়।"

এই উত্তৰ শুনি ছোৱালীজনীযে ভয় খাই তাৰ পৰা লৰি গুচি আহি ঘৰ পালেহি। বাপেকে তাইক কিয় গুচি আহিলি বুলি সুধিলত, তাই সেই কথা ক'লত, বাপেকে—"বলচোন যাওঁ। কোনেনো কি কৈছে শুনোগৈ"– বুলি ছোৱালীজনী লৈ ধানৰ পথাৰলৈ আহি তাইক সেইদৰে মাতি বটা চৰাই খেদাবলৈ কলে। জীয়েকে আগৰ দৰে মাতিলতে আকৌ আগৰ দৰেই উত্তৰ আহিল। বাপেকে আচৰিত মানি, হাবিৰ মাজৰ লেটেকু গছজোপাত "কিনো আছে চাওঁ গৈ" বুলি তাৰ ওচৰলৈ গৈ দেখিলে যে তাত এটা অজগৰ সাপ আছে। সাপটোৱে খেতি-য়কক তাৰ জীয়েকক বিয়া কৰিম বুলি ক'লত, সি "ঘাক কাইলৈ ভাৰি-চিন্তি কম" এই বুলি কৈ গুচি আহিল। ঘৰ পাই সি লাগীক সেই কথা কলত, লাগীয়ে তাক উৎসাহ দি সাপেৰে সৈতে এলাগীৰ জীয়েকক বিয়া দিবলৈ ক'লে ; কাৰণ, তাই ভাৰি-ছিল, তেনেহলে সাপে তাইক খাই পেলাব। এলা-গীৰ মাকে এই কথা শুনি কান্দিবলৈ ধৰিলে। কিন্তু তাইৰ কথা শুনে কোনে ?

পিচ দিনা বাপেক আহি সাপক ক'লে যে,—"মই মোৰ জীক তোমালৈ বিয়া দিম। কাইলৈ গধূলি তুমি জোৰণ পিন্ধাবাগৈ।" তাৰ পিচ দিনা সাপে এলাগীৰ জীয়েকক জোৰণ পিন্ধাবলৈ গল। ৰাতি এলাগীৰ জীয়েকক সাপেৰে সৈতে একেটা খোঁটালীত থাকিবলৈ দিয়া হ'ল আৰু মাক বাহিৰতে পৰি থাকিল। ৰাতি এলাগীৰ জীয়েকে ভিতৰৰ পৰা মাকক এইদৰে কৰলৈ ধৰিলে—"আই। মোৰ ভৰি কুটেকুটায়।" মাকে বাহিৰৰ পৰা উত্তৰ দিলে—"আই। তোক জোঁৱায়ে নেপুৰ পিন্ধায়।" তাৰ পিছত জীয়েকে ক'লে "আই। মোৰ হাতে কুটেকুটায়।" মাকে বাহিৰৰ পৰা ক'লে "আই। তোক জোঁৱায়ে খাৰু পিন্ধায়।" এইদৰে শৰীৰৰ সকলো ভাগৰ কথা কৈ কৈ মাকৰ পৰাও তেনে উত্তৰ পাই পাই শেহত নমতা হ'ল। পিচ দিনা ৰাতিপুৱা মাকে দুৱাৰ মেলি চাই দেখিলে যে জীয়ে-কৰ গা সোণৰ অলঙ্কাৰেৰে জকমকাব লাগিছে। দেখি, মাকৰ মহা আনন্দ হ'ল। মাহীয়েকে আৰু বাপেকে ভাবিছিল যে তাইক সাপে ৰাতি খাই পেলাব। কিন্তু এতিয়া তেনেকুৱা দেখি ৰৰ আচৰিত মানিলে আৰু মাহীয়েকে পেটে পেটে ৰৰ বেজাৰ পালে

ইয়াৰ পিছত লাগীয়ে গিৰিয়েকক ৰবকৈ লাগিল, যে তাইৰ জীয়েককো এটা সাপ আনি সাপেৰে সৈতে বিয়া দিব লাগে। গিৰিয়েকে লাগীৰ খটবান্ধ এৰাব নোৱাৰি ভালেমান মানুহ লগত লৈ গৈ হাবিত অনেক বিচাৰি বিচাৰি এটা অজগৰ সাপ পাই ধৰি লৈ আহি ৰাতি লাগীৰ জীয়েকৰ লগত এটা খোঁটালীত থাকিবলৈ দিলত, সাপটোৱে লাহে লাহে লাগীৰ জীয়েকক গিলিবলৈ ধৰিলে। লাগীৰ জীয়েকে "আই মোৰ ভৰি কুটেকুটায়" "আই মোৰ ককাল কুটেকুটায়" ইত্যাদি ৰকমে মাকক কৈ আছিল কিন্তু মাকে, জোঁৱায়েকে জীয়ে-কক অলঙ্কাৰ পিন্ধাইছে বুলি ভাবি সেইদৰে উত্তৰ দি আছিল। শেহত জীয়েকৰ মাত নাইকিয়া হ'লত, জীয়েক শুলে বুলি ভাবি মাক নিচিন্ত হ'ল। ৰাতিপুৱা তাই দুৱাৰ মেলি চাই দেখিলে যে জীয়েক নাই। সাপটোৱে জীয়েকক গিলি গেৰেলা হৈ তাতে পৰি আছে। এনে হোৱা দেখি তাই হুৰাওবাৰে কান্দিবলৈ ধৰিলে।

যি কৰে পৰত।
তাৰ মিলে ঘৰত॥

হাতী আৰু সাপ

এজন ৰজাৰ এটা ৰৰ মৰমৰ দঁতাল হাতী আছিল। হাতীটোক ৰজাই ইমান ভাল পায় যে

সি দুখ পাব বুলি বজাই তাক কেতিয়াও বধাই নথয়। সেইদেখি সি মুকলি হৈ চৰি ফুৰে ; কিন্তু কাৰো একো অপকাৰ নকৰে। তাৰ দোষৰ ভিতৰত বজাৰ মৰম পাই সি বৰ গপাল হৈ পৰিছিল। এদিন সি বাটে বাটে গৈ থাকোঁতে দেখিলে যে মাজ বাটতে এটা গোম সাপ গা বদাই পৰি আছে। সাপটোৱে ভাবিলে, সি ডাইলগোম, তালৈ ভয় নকৰা প্ৰাণী নাই। এতেকে, সি নো মাজবাটৰ পৰা উঠি গৈ একাষৰীয়া হৈ হাতীটোক বাট এৰি দিব কিয় ? হাতীটোৱেইচোন কাষৰ কাটি যাওক। ইয়াকে ভাবি সি ফেট তুলি ফোঁচ-ফোঁচাবলৈ ধৰিলে কিন্তু এচুলিমানো তাৰ পৰা নললিল। হাতীটোৱে ভাবিলে ভালা ৰে ভালা "মই হলোঁ বজাৰ মৰমৰ গজহস্তী ; এইটো কৰবাৰ টোকোনা সাপ। বনে-বাঁহে চুঁচৰি চোৰৰ দৰে লুকাই ফুৰোঁতে তাৰ জনম গৈছে। সিনো মই হেন পুৰুষক বাট এৰি নিদিব কিয় ? নিদিযে যদি একে গচকাতে তাৰ পেটু উলিয়াব নহয়।" ইয়াকে ভাবি হাতীটোৱে কেৰেপকে নকৰি আগবাঢ়ি আহি সাপৰ গাত গচঁক মাৰি দিলে। সাপেও তাক ভাবকৈ তিনি-চাৰি খোঁট লগালে। হাতীটোৰ গাত বিষ লাগি দোখোজমান গৈয়েই সি পৰি মৰিল। সাপেও হাতীৰ গচকত পেটু নাড়ী ছিগি মৰি থাকিল।

হাতীটো বাটতে এনে থকা দেখি এটা শগুণে শটো খাবৰ মনেৰে খুটিয়াই খুঁটিয়াই পেটৰ ছালখন ফুটাই দিয়া এটা কৰি হাতীটোৰ পেটত সোমাল। শগুণে পেটত সোমাই হাতীৰ মঙহ খাই থাকোঁতে, সি কৰা বিন্ধাটো ৰ'দত শুকাই মুদা মৰিলত, সি হাতীৰ পেটৰ ভিতৰতে মৰিল।

ঘোং নামেৰে ব্যাধ এটা সেই বাটেদি চিকাৰ কৰিবলৈ যায়। দঁতাল হাতীটো বাটতে মৰি পৰি থকা দেখি দাঁতযোৰ কাঢ়ি উলিয়াই লৈ গলে বেচি ভালেমান টকা পাব ভাবি, দাঁত এটা দাৰে কাটি কাটি টানি এটা বৰ আজোৰ মৰাত ভট্ কৰে দাঁতটো উখাল খাই আহি তাৰ পেটত বেগেৰে খোঁচ লাগি আগটো সোমালত, সি তাতে পৰি মৰি থাকিল। এটা হালোৱা মানুহে ওচৰৰ পথাৰত হালবাই থাকোঁতে এই ঘটনাটো আগৰে পৰা গুৰিলৈকে দেখি আছিল। ব্যাধটো মৰাৰ পিছত সি নাহেকৈ হালখন এৰি মৰা হাতীটোৰ ওচৰলৈ আহি এই ফকৰাটো মাতিলে :—

"গপত মৰিল গজহস্তী,
ফোকাৰত মৰিল গোম।
শ খাওঁতে শগুণ মৰিল ;
আঁজোৰত মৰিল ঘোঙ।"

ডাঙৰেই হোৱা, সৰুৱেই হোৱা, গৰ্ব্ব নকৰিবা।
গৰ্ব্ব কৰিলে খৰ্ব্ব হৈ বিপাণ্ডে মৰিবা ॥

পাতনি

সংসাৰ-চক্ৰত পৰি টোকে চকুপানী
নবীন পথিকে দেখি, বাট হেৰুৱাই ;
বাখৰৰ জেউতিয়ে তৰাটিৰ দৰে
জীৱনৰ বাট যেন দিয়ে পোহৰাই।
আশাৰ পুলিটি যেন উঠে ঠন ধৰি ;
বাজক নতুন সুৰে সুখৰ সঙ্গীত,
উঠক প্ৰাণত পুনু আনন্দ-লহৰী।
ফুলেৰেই ভৰে যেন হৃদয়-ফুলনি,
সুবিমল শান্তিময় সুখ-কিৰণত,
সমাপি জীৱন-ব্ৰত হাঁহিমুখে সবে
লভোঁ যেন শেষ শান্তি ঈশ-চৰণত।

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা।

বাখৰ

চৰিত্ৰ (Character) মানুহৰ জীৱনৰ ভেটি। এই ভেটিটো দৃঢ় হব লাগে, নতুবা জীৱনৰ বৃহৎ অট্টালিকাটো সংসাৰৰ হেঁচাত পৰি চুৰ-মাৰ হৈ যাব। জীৱন মানে মানুহৰ পূৰ্ণ মনুষ্যত্ব বিকশিত হোৱা জীৱন ; খাওঁন খোৱা, শোৱা আৰু ধন-খটি ইন্দ্ৰিয়ৰ বৃত্তি চৰিতাৰ্থ কৰা জীৱন নহয়,—কাৰণ এনে জীৱন পশুৰ জীৱনতকৈ এখোপৰ হে ওপৰৰ। চৰিত্ৰ মন্দিৰত ঈশ্বৰৰ সন্তান মনুষ্যৰ ঐশ্বৰিক গুণবোৰৰ মূৰ্ত্তি প্ৰতিষ্ঠিত থাকে, এতেকে সেই মন্দিৰ টান, শকত, নকটা, নভগা আৰু নুৰুখা হব লাগে। বাহিৰৰ শত্ৰুৰ আক্ৰমণ ব্যৰ্থ কৰি চিৰকাল আত্মৰক্ষা কৰি, মূৰৰ ওপৰত সোণৰ কলচীটি জগৎ-কৰ্ত্তাৰ কালে পোন কৰি থৈ আত্ম-প্ৰসাদ লাভ কৰিব পৰা হব লাগে এই চৰিত্ৰ-মন্দিৰটি।

প্ৰতিৰোধ-শক্তি (Resistance) চৰিত্ৰ-মন্দিৰৰ ভেটি হব লাগে। জীৱন এটা ধাৰাবাহিক প্ৰতিৰোধৰ কল। নবীয়াৰ প্ৰতিৰোধ, নৈসৰ্গিক আক্ৰমণৰ প্ৰতিৰোধ, হিংসাকুৰীয়া জন্তুৰ আক্ৰমণৰ প্ৰতিৰোধ, কুসঙ্গজনিত কুভাৱৰ প্ৰতিৰোধ, স্বাৰ্থপৰ, বিদ্বেষী আৰু খলৰ আক্ৰমণৰ প্ৰতিৰোধ, নীচ, কুট, নিন্দক আদি নিবাৰণ বৈৰীৰ আঘাতৰ প্ৰতিঘাত, জীৱন ৰক্ষাৰ নিমিত্তে আৱশ্যক। প্ৰতিঘাতৰ শক্তি বা বলে মানুহক সকলো অৱস্থাতে পোন হৈ থাকি কৰ্ত্তব্য পালন কৰিবলৈ বল দি যোগ্য কৰে। এই শক্তিৰে অনুপ্ৰাণিত হৈ মানুহে স্বচ্ছন্দে জীৱিকা উপাৰ্জন কৰিব পৰা ক্ষমতা লাভ কৰে, আৰু নিজক সততে বিপদৰ পৰা মুক্ত আৰু ৰক্ষা কৰি তেওঁ কৰ্ত্তব্য কাৰ্য্য সম্পাদন কৰিব পৰা হয়। ব্যায়াম, বিশুদ্ধ বায়ু, বিশুদ্ধ আহাৰে শৰীৰলৈ এই ক্ষমতা আনে, আৰু ওখ চিন্তা, পৰোপকাৰ চিন্তা, ঈশ্বৰ-চিন্তা, জীৱৰ প্ৰতি দয়া প্ৰেম আৰু ঈশ্বৰৰ প্ৰতি একান্ত ভক্তিয়ে মনলৈ এই ক্ষমতা আনে।

প্ৰতিৰোধ শক্তি যেনেকৈ বাহিৰৰ আততায়ীৰ পৰা চৰিত্ৰ-মন্দিৰ ৰক্ষাৰ নিমিত্তে আৱশ্যকীয়, ভিতৰৰ মন্দিৰত সেইদৰে প্ৰাণ প্ৰতিষ্ঠা কৰি তাক সজীৱ সবল কৰি ৰাখিবলৈ Constructiveness নিৰ্ম্মাণ বা গঠন শক্তি আৱশ্যক। বাহিৰৰ বিপৰীত ধৰ্ম্মাৱলম্বী পদাৰ্থ ভিতৰলৈ সোমাব নিদিয়াকৈ জানিবা ভিতৰখন ৰাখিলা, কিন্তু সি তো খালি লেখাকে, nature abhors a vacuum অৰ্থাৎ প্ৰকৃতিত অৰ্থাৎ সৃষ্টিত কোনো ঠাই খালি থকা নিয়ম নাই ; তুমি যদি তোমাৰ মাল-গুদামত বাহিৰৰ বস্তু নুসুমাই তাক খালি কৰি পেলাই থোৱা, তেন্তে ভিতৰতে সি ভেকুৰা লাগি পচা গোন্ধ ভাপ আৰু কাঠফুলা জেকনিৰে লাহে লাহে পূৰ হৈ উঠিব ; সেইদেখি তাক ভাল, নত্ন বস্তুৰে পুৰাব লাগিব।

সজ চিন্তা, সজ স্বভাৱ, সজ কাৰ্য্যৰ সবল প্ৰস্তৰ কৰি সেই বাবে তোমাৰ চৰিত্ৰ মন্দিৰৰ ভিতৰখন পুৰাই থবা।

পৰ্য্যবেক্ষণ (Observation) চৰিত্ৰ-মন্দিৰৰ গাথনিৰ গুৰিডোখৰৰ ইটা। তোমাৰ চাৰিউফালে দিনৌ কি ঘটিছে, তাৰ গঢ় গতি কেনে, স্বভাৱ কি, ফল কি, ইত্যাদি তন্ন-তন্নকৈ চাই জুকিয়াই যাবা। ওপৰে ওপৰে চেলেংপেতেংকৈ চালে নহয়। প্ৰথমতে তোমাৰ এই পৰ্য্যবেক্ষণৰ শক্তি দুৰ্ব্বল থাকিলেও, তাক ব্যৱহাৰ কৰোঁতে কৰোঁতে তাৰ শক্তি মহা প্ৰবল হৈ উঠিব নিশ্চয়; আৰু শেহত সি ইমান তীক্ষ্ণ হব, ইমান প্ৰবল হব, যে তুমি নিজেই আচৰিত মানিবা এইটো কথাত, যে এশজনৰ ভিতৰত নিৰানুৱই জনৰ চকুত নপৰা কথা তোমাৰ চকুত পৰিছে। যি পৰ্য্যবেক্ষণে তোমাৰ মন উন্নত কৰে, তেনে পৰ্য্যবেক্ষণত তোমাৰ শক্তি আৰু সময় সৰহকৈ ব্যয় কৰিবা। পৰ্য্যবেক্ষণ শক্তিয়ে ঘটনা আৰু পদাৰ্থৰ জটিলতাৰ আঁহ ফঁহিয়াই বেলেগ কৰি দি তাৰ আচল প্ৰকৃতি উলিয়াই দিয়ে; আৰু তেতিয়া তোমাৰ বিবেচনা জ্ঞানে সেই বস্তুৰ ভাল অংশ সাৰৰি লৈ বেয়া অংশ দলিয়াই পেলাব।

পৰ্য্যবেক্ষণতে শেষ নকৰি তাৰ ফল কামত লগাব লাগে। অনেকে অনেক কথা দেখে, জানে আৰু ভাবে; কিন্তু কামত সেইবোৰ লগাব নোৱাৰে, বা লগাবলৈ যত্ন নকৰে। এনে মানুহ জানি শুনি শিকি বুজিও অকৰ্ম্মণ্য হয়। তোমাক নিজকে তুমি ভালকৈ চলাবলৈ শিকা, তেহে লোকক চলাব পাৰিবা; নিজক শাসনৰ তললৈ আনিলেহে লোকক তোমাৰ শাসনৰ তললৈ আনিব পাৰিবা। নিজৰ ওপৰত তুমি গৰাকী হব পাৰিলে, অৰ্থাৎ তোমাৰ স্বভাৱ চৰিত্ৰক তোমাৰ সম্পূৰ্ণ তলতীয়া কৰি লব পাৰিলে, তুমি পৰিবেষ্টিত থকা বাহিৰৰ মনুষ্য সমাজ আৰু অৱস্থাকো লাহে লাহে তোমাৰ তলতীয়া কৰিব পাৰিবা।

পৰিমিতব্যয় চৰিত্ৰ-মন্দিৰৰ আন এটি লাগতিয়াল সজুঁলি। বিবেচনাৰে সৈতে সময়, শক্তি, পৰিশ্ৰম, বুদ্ধি আৰু অৰ্থৰ সদ্ব্যৱহাৰ কৰাৰ মানেই মিতব্যয় বা বিবেকব্যয় (economy)। বিবেকব্যয়ীক বহুতে বুজিব নোৱাৰি কৃপণ বুলি ভাবে, কিন্তু বিবেকব্যয় কৃপণতা নহয়। ঘৰুৱা অসমীয়া কথাত কিপিণক খাড্‌কানি বোলে। কিন্তু ভৱিষ্যতলৈ চকু ৰাখি অৰ্থৰ নিয়মিত সদ্ব্যৱহাৰ কৰাক খাড়কানি নোবোলে। স্বৰূপাৰ্থত মিতব্যয়ী মানুহ হে প্ৰকৃত উদাৰ আৰু পৰোপকাৰী হব পাৰে। প্ৰায় দেখা যায় যে অতিপাতকৈ খৰচ কৰি দাতাকৰ্ণ হব খোজা-জনৰ শীঘ্ৰে কঁকাল পৰে; সেই দেখি তেওঁ যেতিয়া য'ত অৰ্থেৰে প্ৰকৃত সহায় কৰিব লাগে, তেতিয়া ত'ত কৰিব নোৱাৰা হয়। সেই নিমিত্তে তোমাৰ সুসময়তে ভৱিষ্যত দুঃসময়লৈ সাঁচিবা। অকল বিত্তৰ বিষয়তে হে যে এই কথা খাটে এনে নহয়; পৰিশ্ৰম স্বাস্থ্য, বুদ্ধি ইত্যাদিতো এই কথা খাটে। সেই দেখিহে ইংৰাজী ইকনমি (Economy) শব্দটোৰ আচল প্ৰতিশব্দ বিবেকব্যয়। ডেকা কালৰ সুলভ স্বাস্থ্যৰ অপব্যয়, অপব্যৱহাৰ কৰি শেষ বয়সত ভগ্নদেহ ৰুগ্নস্বাস্থ্য লৈ অনুতাপ কৰি জীৱন কটোৱা মানুহৰ লেখ থৰ কম নহয়। মুঠতে, শক্তি সঞ্চয় কৰা, আৰু তাক আৱশ্যক মতে ব্যয় কৰা, তুমি সংসাৰত বিজয়ী হবা। তুমি মনত দৃঢ়ভাৱে ভাবিবা, যে তোমাৰ অৰ্থ, তোমাৰ শক্তি সামৰ্থ্য, তোমাৰ শৰীৰ, তোমাৰ মন, বুদ্ধি, তুমি তোমাৰ নিজৰ প্ৰতিবাসীৰ, দেশৰ, মনুষ্য সমাজৰ উপকাৰৰ অৰ্থে আৰু ঈশ্বৰৰ প্ৰীতিৰ অৰ্থেহে সঞ্চয় কৰিছা; তেনেহলে নিশ্চয় তুমি নিজেও উন্নত হবা, আৰু পৰোপকাৰ কৰিব পাৰিবা, আৰু তোমাৰ অভীষ্ট সাধনো হব।

চৰিত্ৰ-মন্দিৰৰ ভিতৰত উজ্জ্বল অথচ মিঠা বন্তি হৈছে আনন্দ। আনন্দই শৰীৰ মন আনন্দিত কৰি সুমধুৰ কৰি ৰাখে। কোনো দুখ বিপদৰ বাবে মনলৈ নিৰানন্দ অহাটো স্বাভাৱিক; কিন্তু সেই নিৰানন্দক মনত পাগি পুৰি নাথাকিবা; মনত বেজাৰ থাকিলেও মুখেৰে আনন্দ কৰিবা; তেনেকৈ আনন্দৰ কথা কৈ থাকোতে আৰু লোকে কোৱা আনন্দৰ কথা শুনি থাকোতে তোমাৰ নিৰানন্দক আনন্দই লাহে লাহে জয় কৰি ভিতৰৰ পৰা উলিয়াই খেদি দিব। এইটো নাপাহৰিবা যে, মুখৰ শব্দৰ বৰ ক্ষমতা; সি উচ্চাৰিত হৈ হৈ ইমান শক্তিমন্ত হয় গৈ যে শেহত তোমাৰ চিন্তাৰ ওপৰতো সি প্ৰভাৱ বিস্তাৰ কৰে। শব্দক Empty খালি বুলি বহুতে তাক শূন্য যেন দেখে; কিন্তু সেই শূন্য ব্যোম (Ether), যাৰ স্পন্দনত ব্ৰহ্মাণ্ডৰ শিপা পৰ্য্যন্ত লৰে; যাৰ কম্পনত সৃষ্টি, স্থিতি, লয় ঘটে, মনৰ ভাব সনোৱাটো তো তাৰ এটা ক্ষুদ্ৰ কাম মাথোন। দুখত ব্যথিত নহৈ তাক অগ্ৰাহ্য কৰিবলৈ সেইদেখি জ্ঞানী সাধুসকলে উপদেশ দিয়ে। দুখক, কষ্টক অগ্ৰাহ্য অৱহেলা কৰিলে বাস্তৱিক সি দুৰ্ব্বল হৈ মৃত্যুৰ মুখত পৰে; আৰু তাকে লৈ তাৰে গুণ মহিমা বখানি আৰু চিন্তা কৰি থাকিলে সি কাপি উঠি ক্ৰমাৎ জাঙুৰ

হৈ যাব। এইদৰেই অদৃষ্টক হাঁহি উৰাই দিয়া ভাল। বাধা বিঘিনিক তুচ্ছ কৰি থোৱাঁ। দেখিবা, সি আপোনা-আপুনি খোৰাকৰ অভাৱত মৰি যাব। প্ৰত্যেক দিনত ওলোৱা সুবিধাখোৰ তুমি আনন্দ মনেৰে গ্ৰহণ কৰি তাক কামত লগাই যাবা। তুমি ভাবাঁ,—যে বিপদ জয় কৰি উঠিব পাৰিবা, কাৰণ তোমাৰ ক্ষমতা আছে; আৰু তুমি জয়লাভ কৰিব পাৰিবা, কাৰণ তুমি ইচ্ছা আৰু সঙ্কল্প কৰিছা। "You can, therefore you will, You will, therefore you will You shall, therefore you realize," এই ধাৰণাই তোমাৰ মন আনন্দেৰে পৰিপূৰ্ণ কৰিব। তুমি যে জয়ী হবা, এই দৃঢ় বিশ্বাস তুমি মনত পোষণ কৰিছা; ফলত তোমাৰ ক্ষমতা বৃদ্ধি প্ৰাপ্ত হৈছে; এই ধাৰণা যে প্ৰকৃত, ই নিশ্চয় তোমাৰ মনলৈ আনন্দ আনিবই আনিব।

আনন্দই মুখ উজ্জ্বল কৰে।
শোকে অন্তৰ ধ্বংস কৰে॥

আনন্দদায়ী কোনো কাৰ্য্যত নিমগন হোৱাঁ, দেখিবা, চাৰিউফালৰ পৰা আনন্দৰ সোঁতে তোমাৰ মন বুৰাই পেলাবহি। ৰঙীয়াল মানুহৰ সঙ্গ লোৱাঁ, সঙ্গগুণত তোমাৰ মনো ৰঙীয়াল হব। হাঁহা, খুব হাঁহা, তোমাৰ মনৰ গ্লানি কাটি যাব। হাঁহি তোলা মানুহৰ লগ লোৱাঁ, তেওঁৰ হাঁহিয়ে তোমাৰ মন প্ৰফুল্লিত কৰিব। হাঁহি খোচৰা বস্তু; বং হাঁহিৰ কথা কোৱা মানুহৰ ওচৰলৈ আহিলে তোমাৰ মনও তেনে গুণীযা হব নিশ্চয়। তোমাৰ অন্তৰত আনন্দময় পৰমেশ্বৰ আছে, ভয় কি? সংশয় কি? তেওঁৰ আনন্দ ভিক্ষা কৰা, পাবা; পাই তুমিও আনন্দময় হবা। দুখৰ ঢাকোনেৰে আৰু শোকৰ মিছা ভাবনাৰ আৰ-কাপোৰেৰে আনন্দময়ক নাঢাকিবা, তেওঁ নিভৃত কোণত আনন্দস্বৰূপে বৰ্ত্তমান; মায়াৰ কপট ঢাকোন পেলাই দি তেওঁৰ কাষ চাপা, তোমাৰ মনতো মহা-নন্দ মিলিব। প্ৰেম বহুমূলীয়া বস্তু। প্ৰেমবিহীনে প্ৰেমময়ক নেপায়। ঈশ্বৰ প্ৰেমময়। পৰোপকাৰ, জীৱৰ প্ৰতি দয়া, কৰুণা, প্ৰেমময়ৰ প্ৰেমোপহাৰ। তাৰ সদ্ব্যৱহাৰ কৰাঁ; শঙ্কা নকৰিবা; ভয় নকৰিবা; প্ৰেম বিলোৱাঁ, প্ৰেম লোৱাঁ, তোমাৰ মন-ভঁৰাল প্ৰেম-সম্বলেৰে পূৰ হব। পৰৰ মঙ্গল চিন্তা কৰাঁ, দেখিবা তোমাৰ মন মঙ্গলেৰে পৰিপূৰ্ণ হব; আৰু মঙ্গলে পৰৰ যে উপকাৰ কৰিবই, তোমাৰো পৰম উপকাৰ অনিবাৰ্য্য। তোমাৰ মন বেতিয়া ডাঙৰ হব, আৰু সি সুমধুৰ প্ৰেমবলেৰে পৰিপূৰ্ণ হব, তেতিয়া চাৰিউফালে অসীম আনন্দ। লোকৰ ভাল কৰিবলৈ গলে তোমাৰ ভাল কৰা শক্তি দিনে দিনে বৃদ্ধি পাব, তুমি পৰম প্ৰেমময় ঈশ্বৰৰ সমীপবৰ্ত্তী হবা, আৰু সকলো এক ঈশ্বৰৰ সন্তান, সকলো তোমাৰ নিজৰ সহচৰীয়া, এই মহান সত্য তোমাৰ মনত প্ৰতিভাত হব। সকলোকে সদায় উছাহ বাক্য প্ৰদান কৰিবা, সাহ দিবা, বল দিবা; সহায় কৰিবা। এনে কৰিলে দুগুণ উপকাৰ,— নিজৰো, পৰৰো। কোনো এনে দুখীয়া নহয়, যে তেওঁ ধনেৰে লোকক সহায় কৰিব নোৱাৰিলে বুলিও, ভাল মাত এষাৰেৰেও যে সহায় কৰিব নোৱাৰিব। আপদত ভাল মাত, উছাহৰ মাত এষাৰেই লাখটকীয়া। যি তেনে মাত অন্তৰেৰে সৈতে দিছে, আৰু যি অন্তৰেৰে সৈতে গ্ৰহণ কৰিছে, সিহে তাৰ প্ৰকৃত মোল বুজে। তুমিও জানিবা ভাল মাতষাৰেৰে লোকৰ কোনো উপকাৰ কৰিব নোৱাৰিলাই, তথাপি তাৰ দ্বাৰাই এইটো প্ৰমাণ হ'ল যে, মনুষ্য জাতিৰ প্ৰতি দয়া কৰুণা আৰু সহানুভূতিৰ ভাব প্ৰত্যেক মানুহৰ অন্তৰতে আছে। আন একো নহলেও তুমি ঈশ্বৰৰ সৃষ্টিৰ মূল সত্য কৰুণা, সহানুভূতি আৰু ন্যায়ৰ সন্মান ৰক্ষা কৰি তোমাৰ কৰ্ত্তব্য পালন কৰিলা তো। কিন্তু এইটো জানিবা যে পৃথিৱীত ন্যায় আৰু প্ৰেম এই দুটাই সাৰ পদাৰ্থ।

চৰিত্ৰ-মন্দিৰৰ আন এটা উপাদান ওখ আদৰ্শ। ওখ আদৰ্শ মনত লৈ সংসাৰত বাট বুলিলে তুমিও ওখ হবা। ক্ষুদ্ৰ আদৰ্শ বা আদৰ্শ-বিহীন হৈ চালনে তোমাৰ উন্নতি মৰুভূমিত পানী বিচৰাৰ নিচিনা। উন্নত হব নোৱাৰিলে নিশ্চয় অধঃপাত, কাৰণ সংসাৰত একে ঠাইতে থাকিব কোনেও কেতিয়াও নোৱাৰে। হয় তুমি আগ বাঢ়িব লাগিব, নহয়, পিছপৰি যাবলৈ বাধ্য হবা। ডাঙৰ ভাব, ওখ চিন্তা, ওখ আহি লৈ বাট বুলা, ভয় নকৰিবা, তুমি দিনকদিনে উন্নতিৰ বাটত নিশ্চয় আগুৱাবা। ওখ আদৰ্শ, ওখ চিন্তা মানে শূন্যত অট্টালিকা নিৰ্মাণ নহয়। সম্পূৰ্ণক আগত ৰাখি চলিলে লাহে লাহে সম্পূৰ্ণৰ অংশ বিলাক তোমাৰ ক্ষমতাৰ আয়ত্তাধীন হব। সুন্দৰক আৰাধনা কৰাঁ, তুমিও সুন্দৰ হবৰ কালে যাবা। ঈশ্বৰ সত্যং শিৱং সুন্দৰং। এই বাটে আগবাঢ়া, তুমিও সৌন্দৰ্য্য, সুমঙ্গল আৰু সত্যৰ অধি-কাৰী হবা, তুমি ঈশ্বৰৰ অংশ জীৱ, ভয় কি? তুমি দিনো এই কেইটা মন্ত্ৰ মাতিবা—

(১) মই অসৎ আৰু অমঙ্গলৰ প্ৰতিৰোধ কৰিম।

(২) মই মঙ্গলকাৰ্য্য কৰি নিজক মঙ্গলময় কৰি গঢ়িম।

(৩) মই সকলো তন্ন-তন্নকৈ পৰ্য্যবেক্ষণ কৰিম।

(৪) মই সকলো কাৰ্য্য কঁহিয়াই তাৰ ভাল বেয়া উলিয়াম।
(৫) মই কৰ্ত্তব্য কাৰ্য্য যথাসাধ্য ভালকৈ কৰিম।
(৬) মই মিতব্যয় কৰিম।
(৭) মোৰ মনক আনন্দময় কৰি ৰাখিম।
(৮) মই বন্ধুৰ সমাদৰ কৰি বন্ধুতা বৃদ্ধি কৰিম।
(৯) মই পৰোপকাৰ মোৰ ব্ৰত কৰি লম।
(১০) মই মোৰ আগত ওখ আদৰ্শ ৰাখিম।

তুমি যি কামকে কৰা তাত মন প্ৰাণ সমৰ্পণ কৰি কৰিবা। তাৰ উন্নতিৰ নিমিত্তে দিনে ৰাতিয়ে চিন্তা কৰিবা, তেনেহলে নিশ্চয় তুমি কৃতকাৰ্য্য হবা। যাকে যেনেকৈ ল'বা তোলে, তুমি সেইদৰে তোমাৰ ব্যৱসায় তুলিব লাগিব, নতুবা সি বেয়া হব। যেতিয়া যি কৰিব লাগে সেইটো কৰি যাবা, পেলাই নথবা। নিজৰ স্বাৰ্থ নিজে দেখিলেহে সি ৰক্ষা পৰিব, লোকে দেখিলে সি কেতিয়াও তুমি নিজে দেখাৰ নিচিনা নহয়। ধনৰীয়া বোন্দাই পহু মাৰি নিদিয়ে বুলি আমাৰ বুঢ়া লোকে কয়। সকলো কামৰ ভিতৰত প্ৰৱেশ কৰিবা। তোমাৰ কামৰ বিষয়ে সকলো তন্নতন্নকৈ জানি লবা। লোকৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ নকৰিবা। প্ৰশ্ন কৰিবা জানিবলৈ আৰু শিকিবলৈ, যাক প্ৰশ্ন কৰা তাক ঠগাবলৈ বা জব্দ কৰিবলৈ নহয়। পিছৰবাৰত কোৱা বাটে প্ৰশ্ন কৰিলে তাৰে তোমাৰ উপকাৰৰ কোনো কথা কাৰো পৰা উলিয়াব নোৱাৰা, বৰং তেওঁ তোমাৰ মতলব বুজি লৈ তোমাৰ উদ্দেশ্য বিফল কৰি দিব; কাৰণ আত্মৰক্ষাৰ অৰ্থে যত্ন কৰা সকলোৰে স্বভাৱ।

গোটেইটো জীৱনতে এহাতুধীয়া (Sincere) হবা। মুখে এটা পেটে এটা লৈ চলিলেই তোমাৰ সৰ্ব্বনাশ। তেনে স্বভাৱেৰে তুমি একো কাম সিদ্ধি কৰিব নোৱাৰা। পোনতে, অৰ্থাৎ তুমি ধৰা নপৰালৈকে, দুটা এটা কথাত তুমি সিদ্ধি লাভ কৰিলেও, পিছত ধৰা পৰি থিতাতে তুমি মাটি হবা, তোমাক কোনেও বিশ্বাস নকৰা হব; তাৰ বাহিৰেও তোমাৰ মনৰ অধোগতি হবই হব, নিশ্চয় নিশ্চয়। বহুতে "Honesty is the best policy" অৰ্থাৎ নিষ্কপটতা সকলোতকৈ ভাল নীতি বুলি তাৰ আশ্ৰয় লৈ কাম কৰে। কিন্তু যদিও সেইটো ভাল তথাপি সি সদায় নিৰাপদ নহয়; কাৰণ policy বা নীতিৰ হিচাপত যাথোন নিষ্কপট হৈ চলিলে, এনেকুৱা অৱস্থা কেতিয়াবা তোমাৰ হব যে সি কেতিয়াবা কোনো কামত খাপ নোখোৱা হলে কপটতা (dishonesty) অৱলম্বন কৰিবলৈ তোমাৰ মন যাব। আৰ্জ্জৱ (uprightness) সত্য বস্তু, এই হিচাপত আৰ্জ্জৱৰ (honesty) আশ্ৰয় লোৱাটোহে উচিত। ঈশ্বৰৰ আগত তোমাৰ business policy অৰ্থাৎ ব্যৱসায়াত্মিকা কূট বুদ্ধি গ্ৰাহ্য নহয়।

সাহ চৰিত্ৰ গঠনত বৰ দৰকাৰ। কিন্তু সৎ সাহ হে (moral courage)। আমাক এনে সাহ লাগে যাক ইংৰাজী ভাষাত Fortitude বোলে। এই সাহে মনলৈ এনে বল আনে, যাৰ দ্বাৰাই ক্ৰোধ, ভয় ইত্যাদিৰ ওপৰত আমাৰ কৰ্ত্তৃত্ব হয়। সমুখত উপস্থিত হোৱা বিপদ এই সাহৰ আগত কোঁচ খাই যায়। যদি সেই বিপদ এনেকুৱা হয় যে সি দুৰ্ণিবাৰ, অদম্য, তথাপি এই সৎসাহে আমাক বীৰৰ নিচিনাকৈ সেই বিপদৰ সমুখ হৈ তাৰ আক্ৰমণ সহ্য কৰিবলৈ শিকায়। যি বিপদৰ কোনো প্ৰতিকাৰ নাই তাক বুকু পাতি নিৰ্ভয়ে সহ্য কৰাটোও সাহৰেহে কাম। মানুহৰ জীৱনত বিপদ আহিয়েই থাকে, সেইদেখি সাহক জীৱনৰ এৰিব-নোৱাৰা লগৰীয়া কৰি লব লাগে। বিপদ যেনেকুৱাই হওক সি আহি আগত পৰিলে, থিৰ হৈ মুখত মিচিকীয়া হাঁহিৰে তাৰ সমুখ হব লাগে।

মানুহৰ দোষ ক্ষমা কৰিবা। ক্ষমাত মহত্ব আৰু দেৱত্ব আছে, আৰু সি তোমাৰ চৰিত্ৰত প্ৰতিভাত হৈ তোমাক আৰু ওখ আৰু মহৎ কৰিব। ক্ষমাই মনলৈ দয়াৰ বাট, প্ৰেমৰ বাট মুকলি কৰি ৰাখে। যি দোষ কৰে, তাৰ ঠাইত তোমাৰ মনতে তোমাক বহুৱাই চাবা, তেনেহলেই তুমি তেওঁক ক্ষমা কৰিব পাৰিবা। হিংসা, খিয়াল, দ্বেষ, ক্ৰোধ আদি নানা অৱস্থাত পৰি মানুহে পশুত্ব প্ৰাপ্ত হৈ পৰৰ বিৰোধ আচৰণ কৰে। সেইটো বুজি কৃপা কৰি, ক্ষমা কৰি, সাধুভাৱে তাৰ অসাধুতাক জয় কৰিবা। অনেকে বিপক্ষক ক্ষমা কৰে, কিন্তু বিপক্ষৰ দোষটো হলে নাপাহৰে, মনত টোপোলা বান্ধি থৈ দিয়ে। ক্ষমাও কৰিব লাগে, দায় পাহৰিবও লাগে, তেহে সম্পূৰ্ণ ক্ষমা কৰা হয়, নতুবা পুৰণি দোষৰ সোঁৱৰণিয়ে তোমাৰ মনত আকৌ কেতিয়াবা বিপৰীত ভাৱক সাৰ পোৱাই দিব পাৰে। সেই দেখি দোষৰ ক্ষমাক সম্পূৰ্ণ কৰিবলৈ পাহৰণি লাগে।

ঈশ্বৰে সৃষ্টিৰ সকলো পদাৰ্থ, সকলো কাৰ্য্যকে আপুনি গঢ়িছে ; মাথোন এটি কাৰ্য্যৰ গঠন তেওঁ মানুহৰ হাতত এৰি দিছে ; সেইটি মানুহৰ চৰিত্ৰ গঠন। ইয়াৰ কাৰণ, মানুহক তেওঁ বুদ্ধি বিদ্যা আৰু চিন্তা-শক্তি দান কৰি ৰাখিছে। এইকেৰা "স্বৰাজৰ" (Self-Government) ক্ষমতা মানুহে ঈশ্বৰৰ পৰা লাভ কৰিছে। এতেকে এই ফেৰি "স্বৰাজৰ" শাসন, গঠন মানুহে ভালকৈ কৰিলে ভাল হৈ তাৰ ভাল ফলভোগ কৰিবলৈ পায়, বেয়াকৈ কৰিলে বেয়া হৈ তাৰ ফল ভোগ কৰিবলৈ পায়। Self-Governing Municipality অৰ্থাৎ স্বায়ত্ত শাসনৰ ক্ষমতা পোৱা কোনো মিউনিচিপেলিটিয়ে ভালকৈ নিজৰ কৰ্তব্য কৰিব নোৱাৰিলে, গৱৰ্ণমেণ্টে সেই মিউনিচিপেলিটিৰ পৰা সেই ক্ষমতা কাঢ়ি নিয়া আমি চকুৰ আগতে দেখি আছো ; সেইদৰে নিজৰ চৰিত্ৰ গঠন কাৰ্য্যত অপাৰগ হোৱা লোককো ঈশ্বৰে তেওঁৰ হাতৰ পৰা এই তাঙৰ ক্ষমতা কাঢ়ি নি, চৰিত্ৰ কি বস্তু তাক নজনা পশুৰ শাৰীলৈ পঠিয়ায়। সজ চিন্তা সজ কাৰ্য্যৰ জনক। মনৰ পোহৰে তোমাৰ কাৰ্য্যৰ এন্ধাৰ চুকতো পোহৰ পেলায়। মন, বুদ্ধি, চিত্তক শুদ্ধ কৰি ৰাখাঁ, আৰু সেই বিশুদ্ধ মন বুদ্ধি চিত্তেৰে তোমাৰ অন্তৰ বিশুদ্ধ কৰি, জীৱনৰ কাৰ্য্যক্ষেত্ৰত আগবাঢ়ি যোৱা, ভয় নাই, তোমাৰ জয় নিশ্চয়।

—

ঈশ্বৰত একান্ত বিশ্বাস, একান্ত নিৰ্ভৰ কৰি, তোমাৰ জীৱনত এহাতধীয়াকৈ নিষ্কপটভাৱে কৰা কাৰ্য্যৰ ফলাফল তেওঁৰ চৰণত সমৰ্পণ কৰাঁ, হে বন্ধুসকল, এয়েই তোমালোকৰ প্ৰতি এই দুখীয়াৰ উপদেশ।

—

ভাৰতবৰ্ষৰ প্ৰত্যেক প্ৰদেশতে নিজ নিজ ভাষাৰ পূৰ্ণ ঐশ্বৰ্য্য উদ্ভাবিত হলেহে পৰস্পৰৰ মাজত নিজৰ শ্ৰেষ্ঠ অৰ্ঘ্যৰ দান প্ৰতিদানে সাৰ্থকতা লাভ কৰিব পাৰিব আৰু সেই উপলক্ষতেই সশ্ৰদ্ধ ঐক্যৰ সেতু প্ৰতিষ্ঠিত হব। জীৱন কালত লক্ষ্মীনাথ বেজবৰুৱাৰ এই সাধনা অতন্দ্ৰিত আছিল। মৃত্যুৰ মাজেৰে তেওঁৰ এই প্ৰভাৱ অধিক শক্তিশালী হওক, ইয়াকেই কামনা কৰিলোঁ।

(বেজবৰুৱাদেৱৰ মৃত্যুৰ অলপ দিনৰ পিছত বেজবৰুৱাৰ স্মৃতিৰ উদ্দেশ্যে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে আগবঢ়োৱা শ্ৰদ্ধাঞ্জলি। ৩০।৮।৩৮)

"বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল,
অসম আকৌ উন্নতি-পথত জয় আই অসম বোল।" —বেজবৰুৱা।

('আৱাহন'—৯ম বছৰ ৪ৰ্থ সংখ্যা)

"সু-গভীৰ স্বদেশানুৰাগ, স্বদেশ-প্ৰীতি বেজবৰুৱা সাহিত্যৰ প্ৰত্যেকটো শব্দৰ ভিতৰেদি প্ৰকাশ পাইছে। তেওঁৰ সকলো ৰচনাৱলী এই স্বদেশানুৰাগৰ বোলেৰে বোলোৱা। তেওঁৰ হাঁহি-ধেমেলীয়া ৰচনাৰ পৰা আৰম্ভ কৰি শেহৰ ডোখৰৰ আধ্যাত্মিক ৰচনাৱলীলৈকে সকলোৰে ঐক্যসূত্ৰ এই স্বদেশানুৰাগ, এই স্বদেশ প্ৰীতিয়েই। তেওঁৰ ভাব-ভাষা সকলো এই অনুৰাগেৰেই অনুৰক্ত। স্বদেশ প্ৰীতিয়েই বেজবৰুৱা সাহিত্যৰ মূলমন্ত্ৰ। জাতীয় ভাবমণ্ডল সৃষ্টি কৰাত বেজবৰুৱাৰ শ্ৰেষ্ঠ দান, স্বদেশ-হিতৈষিতা আৰু স্বদেশৰ গৰিমা শৰীৰৰ প্ৰত্যেক টোপা তেজৰ সঞ্চাৰৰ লগতেই অনুভৱ কৰা।" —ডঃ কাকতি

"ডাক্তৰ জনছনে ইংৰাজী লিখক এডিশ্যনৰ ৰচনা-পদ্ধতি প্ৰশংসা কৰি কৈছিল যে, যি সকলে নিভাঁজ প্ৰাঞ্জল অথচ সৰস ইংৰাজী লিখিব খোজে, সেই সকলে আগেয়ে এডিশ্যনৰ ৰচনাৱলী ভালকৈ পঢ়িব লব। অসমত নিজক বাদ নিদিয়াকৈ সকলো উৎসাহী অসমীয়া লিখকক কব খোজা বেজবৰুৱাৰ ৰচনা পদ্ধতিৰ প্ৰতি সবিশেষ মন নিদিয়াকৈ অসমীয়া লিখিবলৈ যোৱাটো ভাষাৰ প্ৰতি অবিচাৰ কৰা হব।"

—ডঃ কাকতি

পাতনি

চোলাৰ মোনাত "নোট বুক" বা "পকেট বুক" লৈ ফুৰাদি লৈ ফুৰাৰ পৰাকৈ, মানুহৰ জীৱনত অতি লাগতিয়াল গোটাচেৰেক সংকেত একে ঠাই কৰি সংক্ষেপকৈ এই পুথিখনি ৰচনা কৰিলোঁ। ইয়াৰ দ্বাৰাই এশৰ ভিতৰত এজনৰো উপকাৰ হলে মোৰ পৰিশ্ৰম সাৰ্থক হ'ল বুলি ভাবিম। চকু মেলি বাট বুলি এই সংসাৰত কেনেকৈ মনুষ্য জীৱন সাফল্য কৰিব পাৰি, তাৰ উপায় উলিয়াই এই পুথিত লেখিবৰ চেষ্টা কৰিছোঁ। সেই চেষ্টা কিমান দূৰ সিদ্ধি হৈছে, এই পুথি পঢ়োঁতাসকলৰ গাতহে তাৰ বিচাৰৰ ভাৰ। এই পুথিৰ ভিতৰত ঠাই দিয়া আঠে কুৰি সংকেত ভালকৈ বহলাই লেখিবলৈ গ'লে, আঠে কুৰিখন ডাঙৰ স্বকীয়া পুথি হয়। কুৰি শতিকাৰ কামৰ বেমেজালি হাটৰ ভিতৰত থকা মানুহৰ আহৰি ক'ত যে সেইবিলাক পুথিত বুৰিয়াই তাৰ তলিৰ পৰা এটা এটাকৈ মুকুতা তোলে? সাৰৰণিত এই কেৱা কথা কৈ থওঁ যে ইয়াৰ ভিতৰত লেখা ভালেমান উপদেশ মোৰ ক্ষুদ্ৰ জীৱনৰ অগ্নি-পৰীক্ষাত উঠা।

-১৮২৫ শক

কামত কৃতিত্ব লভিবৰ সংকেত

এশৰ ভিতৰত নিৰানৈজনৰ ব্যৱসায়ী হবৰ ইচ্ছা আছে। কিন্তু কি উপায় ধৰি চলিলে ব্যৱসায় শিকি এই সংসাৰত উন্নতি লভিব পাৰি তাক জনাৰ ভাগ এশৰ ভিতৰত এজন বুলি কলেও সঁচাৰপৰা আঁতৰত পৰা নাযায়। সৰহভাগ লোকে ভাবে যে কম বেছি মূলধন লৈ বেহা-বেপাৰ আৰম্ভ কৰিলেই তেওঁবিলাক একো একোজন ডাঙৰ ব্যৱসায়ী পুৰুষ হৈ উঠিব। এই বিশ্বাসৰ গুৰিত যে শিপা নাই তেওঁলোকৰ মনত পোনতে লেখেলায়। লাভলৈ লোভ কৰি বেহা কৰি শেহত মূলকো হেৰুৱাইছে, অৰ্থাৎ তিতি-বুৰি হে তেওঁলোকে শিকে। "Great many men plough the ocean in different trade; sometody makes double the profit and somebody loses bread."

এই সংসাৰত থিত আৰু মান আজি কৃতকাৰ্য্য হবলৈ যিবিলাক বাট আছে, এটাইবিলাকৰ ভিতৰত ব্যৱসায়ৰ বাটটো অতি কাঁইটীয়া; কিন্তু আশ্চৰ্য্যৰ বিষয় এই হে যে এনে জেং থকা আৰু কাঁইটীয়া বাটটোক বহুত মানুহে উজু বুলি ভাবে। ইংৰাজীত এটি কথা আছে "Ignorance is bliss." দুখ-বিপদেৰে সৈতে অচিনাকী হৈ থাকিলে অৰ্থাৎ তাৰ আকৃতি প্ৰকৃতি আৰু পৰিমাণ নুবুজিলে বা নেজানিলে তালৈ ভয় নেলাগে। বেহা-বেপাৰতো সেই কথা খাটে। মূলধনৰ মোনাটো হাতত লৈ বেপাৰতে একে দিনৰ ভিতৰতে আঁকোৱালে নোপোৱা বেপাৰী বা ৰবমূদৈ সদাগৰ হবলৈ যি আশা কৰে, পৰ্ব্বতত কাছ-কণী বিচাৰি ফুৰাতেই তেওঁৰ জীৱনৰ পৰ্বালি পৰে। বেহা-বেপাৰৰ সাধনা কঠোৰ সাধনা। ইংৰাজ এই কঠোৰ সাধনা কৰিহে আজি অদ্বিতীয় বেপাৰ আৰু তাৰ ফলত সসাগৰা বসুন্ধৰাৰ অধীশ্বৰ হৈছে। গুৰিৰে পৰা কঠোৰ সাধনা কৰি যি মনুষ্যত্ব লাভ কৰে সিহে প্ৰকৃত ব্যৱসায়ী হব পাৰে। কেনেৰূপে সাধনা কৰি মনুষ্যত্ব লভি ব্যৱসায়ত সিদ্ধকাম হব পাৰি, তাৰ গোটাচেৰেক সংকেত তলত লিখি পুথিৰ আকাৰেৰে আমাৰ বন্ধুসকলৰ আগত ধৰিলোঁ। মনত এনে আশা যে বুঢ়াসকলক তেওঁলোকে পাহৰা অনেক নীতি সি সোঁৱৰাই দিব, ডেকাসকলৰ লগে লগে সি আবিয়া ৰবি থাব আৰু ল'ৰাবিলাকৰ আগত অধ্যাপকৰ আসনত ডেকণি লৈ ৰহিব।

১। সদাই সঁচা কথা কবা ঃ

কি ঘৰুৱা কথা, কি পৰুৱা কথা, সকলো বিষয়তে, সকলো সময়তে, সকলোৰে সৈতে ব্যৱহাৰত, আদান-প্ৰদানত সঁচা কথা কবলৈ কেতিয়াও পিপিছুৱাবা। বেহা-বেপাৰ বাণিজ্য-ব্যৱসায়ত সঁচা এৰি মিছাৰ বাপতো ভৰি নিদিবা। [illegible]

জ্ঞাত বিশ্বাস যে বেহা-বেপাৰত অনেক সময়ত মিছা কথা নকলে নচলে। ই সমূলি ভুল। মিছাৰ আশ্ৰয় লৈ পোনতে অলপ লাভ বা সুবিধাৰ মুখ দেখিবলৈ পোৱা যেন লাগিলেও শেহত সেই লাভ বা সুবিধা মৃগ-তৃষ্ণাৰ নিচিনা হয়। ঘাটৰ ঘটীয়া শিঙৰাই বৰণীৰ টোপ এবাৰ দুবাৰকৈ খাই আনন্দত দেও দি তৃতীয় বাৰত ধৰা পৰি মৰা পৰে জানিবা। অকণমান মিছা-জৰি-গুটিৰ গাজ শেহত বাঢ়ি ডাল-পোখা মেলি ডাঙৰ গছ হৈ পকা ৰংৰ কাবেংৰ কালি ছিৰাছিৰ কৰে। সৰু কথাত পোনতে অনাহকতে মিছা কবলৈ আৰম্ভ কৰিলে, সি লাহে লাহে অভ্যাসত পৰিণত হৈ ডাঙৰ বিষয়তো শিপাই পৰে, তেতিয়া তাক উভলা টান হয়। মিছাৰ ঠেং চুটি, বুকু কিম্পাই তেজেৰে কেতিয়াও সি থিয় হব নোৱাৰে। মিছাৰ ৰাজত্বত অৰাজকতা ষোল কলা। মানীৰ মান, ধনীৰ ধন, সুখীয়াৰ সুখ-শান্তি সেই ৰাজ্যত নিৰাপদে বসতি কৰিব নোৱাৰে। যি মিছাৰে গঢ়ি-পিটি কোনো কথা থিয় কৰিবলৈ যায়, তাৰ কথা সম্প্ৰতি থিয় হোৱা যেন দেখিলেও, পিছত সি কাতি হৈ পৰি মিছলীয়াৰ কপালত লাজ আৰু অপমান দাগি দি ৰসাতললৈ যাবই যাব। মিছা কওঁতাৰ মনত সদায় অশান্তি; ধৰা পৰিলেই লাজত পৰি অপমানিত হব এনে ভয়ে সদায় তাৰ বুকুত উখল-মাখল লগাই থাকে। মিছাৰ বেচেৰে কিনা সুখ সন্তোষ আৰু লাভ শেহত "হিচাপ-নিকাচ" কৰি চালে অসুখ-অসন্তোষ আৰু লোকচানৰ ঘৰত পৰা দেখা যায়। জানি শুনিহে জ্ঞানীসকলে কৈ গৈছে "সদা সত্যং ব্ৰুয়াৎ"।

আজিকালি প্ৰায় দেখা যায় যে মুদৈ-সদাগৰৰ 'অফিচ'ৰ অনেক কাৰ্য্যকাৰকে মিছা কথা কৈ বা মিছা হিচাপ দি গ্ৰাহকক প্ৰবঞ্চনা কৰি মালিকক ন্যায্য প্ৰাপ্যতকৈ অধিক ধন আনি দি লাভ কৰি নিজৰ কাৰ্য্যদক্ষতা দেখুৱাই তেওঁৰ প্ৰিয়পাত্ৰ হয় বা হবলৈ যতন কৰে। কিন্তু সেই কাৰ্য্যদক্ষ বেপাৰীয়ে এই কেৰা কথা পাহৰে যে, সম্প্ৰতি তেওঁৰ মালিক তেওঁৰ ওপৰত যিমানেই সন্তুষ্ট হওক, সদায় সেই মালিকৰ এনে এটা চোভাৰ ভাব তেওঁৰ প্ৰতি নেথাকি নোৱাৰে যে, এই অতি চতুৰ কৰ্ম্মচাৰীজনে গ্ৰাহকক যেনেকৈ ফাঁকি দি তেওঁক টকা আনি দিছে, তেওঁকো তেনেকৈ কেতিয়াবা ফাঁকি দিব পাৰে; গ্ৰাহকক যেনেকৈ মিছা কথা কৈ লুটিছে, তেওঁকো তেনেকৈ লোটা অসম্ভৱ নহয়। বালীলৈ যি পাট শৰ সুগ্ৰীৱলৈকো সেই পাট শৰেই হব পাৰে। ব্যৱসায় শিকিব খোজা ডেকাসকলে সদায় এই কথাটি মনত ৰাখি চলিব লাগে।

২। বিশ্বাসৰ পাত্ৰ হবলৈ সদাই লক্ষ্য ৰাখিবা ঃ

কি ব্যৱসায়ত, কি বাহিৰা কাৰ্য্যত সকলো সময়তে এনেকৈ চলিবা, যেন লোকে তোমাৰ ওপৰত বিশ্বাস থাপি সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰি নিশ্চিন্ত থাকিব পাৰে। উন্নতিৰ জখলাৰ ই প্ৰথম খাপ জানিবা। এই খাপৰপৰা ভৰি পিছলিলে, ভৰি ভাগিব, আৰু তোমাৰ ভবিষ্যত ভালৰ আশা-ভৰসাৰ মুখত ছাই পৰিব। এই বহুমূলীয়া গুণটিলৈ আওহেলা কৰি সদাগৰী "অফিচ" আৰু গৱৰ্ণমেণ্টৰ "অফিচত" চাকৰি কৰা ভালেমান চোকা বুধীয়া ডেকাই নিজৰ ভবিষ্যত উন্নতিৰ বাটত নিজে কাঁইট পোতে। আগলৈ ভালৰ আশা কৰোঁতা ডেকাবন্ধুসকল, সাৱধান। এই আৱশ্যকীয় উপদেশটি মনত ৰাখিবলৈ নেপাহৰিবা।

৩। কেতিয়াও কৰ্ত্তব্য কৰিবলৈ নিপিছুৱাবা ঃ

ধৰ্ম্মবুদ্ধি আৰু বিবেকৰ দ্বাৰাই পৰিচালিত হৈ যি তোমাৰ কৰ্ত্তব্য বুলি জানিবা, তাক কৰিবলৈ কেতিয়াও পিছ-ভৰি নহবা। সংসাৰত কৰ্ত্তব্য পৰাঙ্মুখ মানুহতকৈ কাপুৰুষ আৰু নাই। কৰ্ত্তব্য-বিমুখ লোকৰ পৰা উন্নতি এশ যোজন দূৰত থাকে। এহাতুধীয়া হৈ ফলাফল নিবিচাৰি কৰ্ত্তব্য কৰি যাবা, দেখিবা তোমাৰ মঙ্গল তোমাৰ মুঠিৰ ভিতৰত।

এই কেষাৰ কথাৰ জোৰ হাতত লৈ সংসাৰৰ এজাৰ বাটত আগুৱাবা।

৪। কথা জুখি ঠিককৈ কবা ঃ

কেতিয়াও ডাল-পাত জোৰা দি বঢ়াই কোনো কথা নকবা। কথা বঢ়াই কওঁতে কওঁতে অভ্যাসৰ বশত লাহে লাহে কওঁতাজন মিছাত পিছলি পৰেগৈ। মিছলীয়া মানুহৰ মিছা কথাৰ আৰম্ভণ কথা বঢ়াই কোৱাত। বেহা-বেপাৰ কৰোঁতাসকলে এই কথা ঘাইকৈ মনত ৰাখিব লাগে। কিন্তু বৰ বেজাৰৰ কথা যে, আমাৰ দেশৰ সৰহভাগ মানুহৰ গা এই দোষেৰে ঘুণীয়া। একোটা অতি সামান্য কথাৰ বিবৰণ দিওঁতেই তেওঁলোকে তাক বঢ়াই এনেকৈ কয়, যে তাৰপৰা প্ৰকৃত কথা চালনীৰে চালি আৰু কুলাৰে জাৰি নুলিয়ালে পোৱা টান। একোজন এই অভ্যাসত ইমান দূৰ আগুৱায় যে তেওঁৰ সঁচা-মিছা সকলো কথাৰ গাত "বিশ্বাসৰ অযোগ্য" ছাব পৰে। বাপেক-মাকে নিজৰ সন্তানক ল'ৰা কালৰেপৰা সকলো কথা ঠিককৈ কবলৈ শিকনি দিয়া উচিত। কাৰণ, ডাঙৰ হলে, এই অভ্যাসৰ

শিপা উভাল নোখোৱাত পৰে। অলপ দুখ পালে বৰ দুখ পালোঁ, অলপ ব'দ হলে পিঠি ফটা ব'দ হৈছে, একেষাৰ গালি পাবিলে ভয়ানক গালি পাবিছে, অলপ বেযাক নখৈ বেযা, অলপ জাৰকে হাড় কন-কনাই যোৱা জাৰ ইত্যাদি কথা কোৱা অভ্যাস প্ৰায় মানুহৰ দেখা যায়। এই কু অভ্যাস তেনেই এৰি দিয়া উচিত। কাৰণ ইয়াৰ শেহ ফল বিষম। বহুত বেপাৰী-দোকানী-পোহাৰীয়ে নিজৰ বস্তু বেচিবৰ নিমিত্তে তাৰ গুণ ওকোন্দাই কিকাই কয়। কিন্তু এবাৰ বা দুবাৰ সেই বস্তু কিকনিত বিক্ৰী হলেও, কিনোতাই ভাবষ্যতলৈ তেওঁলোকৰ বস্তুৰ প্ৰকৃত গতিগোত্ৰ বুজি আকৌ সেই দোকানৰ দুৱাৰদলি ডেবলৈ কেব্‌জেব্‌ কৰে; আৰু ডেব লাগিলেও, সেই বেপাৰীৰ কথা অসাৰ ডাল-পাত কাটি দলিয়াই পেলাই আচল ফেৰা লৰলৈ হাতত কেচি লৈ আহে; আৰু কথাত বহুণ সনা বেপাৰীজনৰ কথা খৰা-মুৰা হৈ মিছাৰ শাৰীলৈ নামে। এই শাৰীৰ লক্ষ লক্ষ বেপাৰীৰ বেপাৰ দহ বছৰৰ আগেয়ে যি মেমেৰা আছিল, আজিও দেখিবা সেই মেমেৰাই আছে, যদি ইমান দিনেও সি জয়-পাতে-ক্ষয় হোৱা নাই। যেনে দেখা, যেনে শুনা ঠিক তেনেটি কৰা। কথা ভালকৈ নেজানিলে তাক নকৰা। কথা বঢ়াই কোৱাৰ ফালে ঢালকে নলবা।

৫। নিজৰ দোষ ভুতালিকে স্বীকাৰ কৰিবা :

দোষ সকলোৱে কৰে। কিন্তু ভালেমানে তাক স্বীকাৰ নকৰে আৰু কৰিবলৈ লাজ পায়। নিজৰ দোষ বুজিব পাৰিলে কেতিয়াও স্বীকাৰ নকৰাকৈ নেথাকিবা। দোষ সৈ কঢ়াটো ওখ মন আৰু সৎসাহসৰ চিনাকি; আসৈ মতাটো নীচ মন আৰু কাপুৰুষতাৰ চিনাকি। বুজিব পাৰিয়েই হওক বা বুজিব নোৱাৰিয়েই হওক মানুহ মাত্ৰকেই দায়-ভগৰ কৰাৰ পৰা হাত সাৰিব নোৱাৰে। সেই দায় পিছত বুজিব পাৰিলে খোলা মনেৰে সৈ কাঢ়ি আগলৈ তেনে নকৰিবলৈ মনত থিৰাং কৰি সাহিয়াল পুৰুষৰ শাৰীলৈ যাবা। তেনে কৰাটো অপমান বা লাজৰ কথা কেতিয়াও নহয়। বহুত নামজলা মুখিয়াল বোলোৱা মানুহৰ গাতো এই ফেৰা সৎসাহৰ অভাৱ দেখা যায়। আপোনাৰ গাত খাটি হৈছে বুজিব পাৰিলে তাক স্বীকাৰ কৰা মানুহে লোকৰ পৰা সন্মান আৰু শ্ৰদ্ধা আকৰ্ষণ কৰে। দহজনে যাক প্ৰকৃত সন্মান আৰু শ্ৰদ্ধা কৰে তেৱেঁই উন্নত, আৰু তেওঁৰে জীৱন সাৰ্থক। যি কাৰ্য্যকাৰকে তেওঁৰ গৰাকীৰ আগত নিজৰ ভুল আৰু দায় বুকলি মনেৰে সৈ কাঢ়ে সেই কাৰ্য্যকাৰকৰ ওপৰত গৰাকীৰ শ্ৰদ্ধা বাঢ়ে, আৰু তাৰ ফল ষৰূপে তেওঁৰ আগলৈ

ভাল হোৱাটো ধ্ৰুৰূপ। যি নিজৰ দোষ বুজিও অস্বীকাৰ কৰি সেই ভুল মত বা কাৰ্য্য সাৰটি থাকে সেই বুজন নিৰ্গতিক সকলোৱে গোঁৱাৰ আৰু সৰু মনৰ মানুহ বুলি ভাবে।

৬। আত্ম সন্মান সদাই জাঁত ধৰলেৰে ৰাখি চলিবা :

যি আত্মসন্মান ৰাখি নচলে সি সমাজত ঘৃণিত আৰু লাঞ্ছিত হয়। আত্মসন্মান বলি দি সামাজিক উন্নতিলৈ হেপা মেলিলে আত্মসন্মান আৰু সামাজিক উন্নতি দুয়ো হাততে হেৰায়। যি নিজৰ সন্মান নিজে ৰাখি নচলে সি লোকৰপৰা সন্মান পাবলৈ আশা কৰা বৃথা। কোনো কোনো লোকে ধন, সম্পত্তি, খোৱা-লোৱা বা অনুগ্ৰহৰ লোভত বিবেকৰ টেটুত খোৰোচা গাঠি দি তাক ওলোমাই থৈ ডাঙৰ মানুহৰ খোচামোদ বা খাটনিত প্ৰবৃত্ত হয়। সিহঁত অতি ঘিণ লগা প্ৰাণী। সিহঁতৰ মনত নেখেলায় যে আত্মসন্মান বেচি পোৱা ধন-সম্পত্তি, অনুগ্ৰহ আদি অতি অকিঞ্চিৎকৰ। অনুগ্ৰহ দিওঁতাজনৰ মনতো সেই খোচামোদীয়া জন ঘৃণিত নহৈ নোৱাৰে নিশ্চয় জানিবা। কিন্তু আত্মসন্মান মানে ডেব বা মিছা অহঙ্কাৰ নহয়। বহুতে আকৌ ভেৰক আত্মসন্মানৰে সৈতে সানমিহলি কৰি তেওঁলোক এই বিপদত পৰে।

৭। ক্ষুদ্ৰ বিষয়তো সৰল অকপট আৰু এহান্দ্ৰীয়া হবা :

ক্ষুদ্ৰ কথা ক্ষুদ্ৰ কামো যি কুটচ্ছুত কপট নেৰাখি কৰে, ডাঙৰ বিষয়, ডাঙৰ কামতো তেওঁ সৰল আৰু অকপটীয়া নহৈ নোৱাৰে। বিশেষ, যাক আজি আমি সৰু কথা বুলি ভাবিছোঁ কাইলৈ তাৰ ফল ডাঙৰ হৈ উঠিব পাৰে। ক্ষুদ্ৰ কথাৰ কুফলত ডাঙৰ বিপদ অহাৰ কথা পৃথিৱীৰ বুৰঞ্জীত ভালেমান আছে। সামান্য দন্দ-হাইৰ ফলত ধন-ধান্যেৰে ভৰপূৰ গৃহস্থৰ ঘৰ ভাগি ঠান ঠান হোৱা দেখা যায়। সৰু অনি-য়মত মূল্যবান জীৱন যায়। ল'ৰাকালত পাইটো পইচাটো চুৰ কৰি, আৰু পখিলাটো, চৰাইটো, মেকুৰীটোৰ পাখি ডোকা আৰু ঠেং ভাঙি, ডাঙৰ হলে ডাঙৰ চোৰ, ডাঙৰ ডকাইত আৰু ডাঙৰ খুনী হৈ কাটক বা ফাঁচীত উঠা অনেকক দেখা যায়। সদাগৰী অফিচৰ, বেঙ্কৰ, চৰ্কাৰী বা কেহাৰীৰ কেৰাণী আৰু খাজাঞ্চীসকলৰ ভিতৰত হিচাপত খোহাৰাৰি বা গোঁজামিল দি পাইটো, পইচাটো, অনাটো, টকাটো ইকাল-সিঠাল কৰা বহুতৰ অভ্যাস আছে, আৰু তেনে কৰাটো পাপ বুলি তেওঁলোকে নেভাবে। কিন্তু এনে ক্ষুদ্ৰ আবৰ্জ্জনিৰ পোঁচাকন যে

তাহঁতৰ তেওঁলোকৰ মনত নেথেলায়। উপজিয়েই ৰখাকৰ দস্যু বা একে দিনাই বৰ চোৰ কোনো হোৱা নাই। সৰু মিছলীয়াই অভ্যাসৰ পানী পাই পুলি-পোখা মেলি পিছত ডাঙৰ মিছলীয়া হয়গৈ। যি নিজে মিছলীয়া সি লোকৰ সঁচা কথাও বিশ্বাস কৰিব নোৱাৰে। দিনে-ৰাতিয়ে সন্দেহৰ কুটা নাৱত বহি সি দুৰ্ঘোৰ অশান্তি ভোগ কৰে। বন্ধুসকল, তোমালোক গুৰিতে সাৱধান হবাঁ; সৰু কথা, সৰু মিছা, সৰু পাপ বুলি উৰাই দি, তোমালোকৰ সৰ্ব্বস্ব ভৰা দিয়া জীৱন-নাৱৰ গুণ চকু মুদি হো হো কৰে টানি নৈ নেযাবা। যদি দেখা তোমালোকক এই স্বভাৱ-জোকে ধৰিছে, তেন্তে তৎক্ষণাৎ তাক ৰথেৰে একেবাৰে দলিয়াই পেলাবা।

৮। সত্য পথত থাকি আপোন অভিপ্ৰায় নিষ্কলঙ্ক ৰাখি ধন ঘটিবলৈ পুৰুষাৰ্থ কৰিবা :

ধন ঘটিলেই নহয়। ধৰ্ম্মৰ বাটত, সঁচাৰ বাটত থাকি ধন ঘটিলেহে ঘটা। ডকাইতেও ধন ঘটে; বেশ্যাইও ধন ঘটে। অকল ধন ঘটাতেই বাহাদুৰী নাই। ধন ঘটা কল হৈছোঁ বুলি অহঙ্কাৰত ওফন্দি কুৰিলেই তুমি ভাল মানুহ আৰু সজ লোকৰ শাৰীলৈ উঠিব নোৱাৰা।

৯। ধনৰ সদ্ব্যয় কৰিবা :

ধনে ক্ষমতা আনে। ক্ষমতাৰে লোকৰ ইষ্টানিষ্ট দুইকো কৰিব পাৰি। ধন তৰোৱালৰ নিচিনা তাৰে হিংস্ৰক জন্তুকো বধ কৰিব পাৰি আৰু পৰমেশ্বৰৰ সৃষ্টিৰ মুকুট মানুহক মৈযাইও অন্ত কৰিব পাৰি। সন্ত-সাধু লোকে ধনেৰে নিজৰ উপকাৰ, পৰৰ উপকাৰ, সমাজ আৰু দেশৰ মঙ্গলজনক কাৰ্য্য কৰে।

"পৰোপকাৰায় সতাং হি জীৱনম্"।

দুৰ্জ্জনে তাৰে (দেখাত নিজৰ উপকাৰ, কিন্তু শেহত যথাৰ্থত অপকাৰ) পৰৰ অপকাৰ, আৰু সমাজ আৰু দেশৰ অনিষ্টজনক কাৰ্য্য কৰে। কাম, ক্ৰোধ, লোভাদি কু-প্ৰবৃত্তি চৰিতাৰ্থ কৰাত অসৎ লোকৰ বিত্তব্যয় হয়, পৰোপকাৰ আদি সৎ কাৰ্য্যত সজ্জনৰ ধন ভগন হৈ অশেষ মঙ্গলৰ কাৰণ হয়।

"বিদ্যা বিবাদায় ধনং মদায়
শক্তিঃ পৰেষাং পৰিপীড়ণায়
খলস্য, সাধোৰ্বিপৰীতমেতৎ
দানায় ধৰ্ম্মায় চ ৰক্ষণায়।"

আজিকালি অনেক অসাৰ ধনী মানুহে নিজৰ ধনেৰে উপাধি আৰু নাম কিনি, সমাজত আৰু ৰজা-ঘৰত গণ্য-মান্য হবলৈ অহোপুৰুষাৰ্থ কৰে। কিন্তু সেই উপাধি আৰু নাম যিমান ডাঙৰ হৈয়েই থাকক, সি এপেট বতাহেৰে পূৰ ঢুলীয়াৰ ঢোল মাথোন। তেনে অসাৰ সন্মানক সাধু আৰু সাৰুৱা লোকে অতি অকিঞ্চিৎকৰ বিবেচনা কৰে; কাৰণ সি পপীয়া তৰাৰ পোহৰৰ নিচিনাকৈ চকুত জলক লগাই ক্ষন্তেকতে মাৰ যায়।

১০। তোমাৰ নিৰ্দ্দিষ্ট কামত সদাই উপস্থিত থাকিবা :

তুমি অফিচ কেচাৰীৰ কাৰ্য্যকাৰক নে? যদিহে তুমি তেনে বিষয়া, তেন্তে কেতিয়াও নানা চেলু বিচাৰি নিজৰ কামৰ পৰা অনুপস্থিত নেথাকিবা। ভালেমান মহৰী কেৰাণী আদি খিষয়াই পেট কামুৰিছে, মূৰ কামুৰিছে, আজি খিয়া আছে, কাইলৈ সবাহ আছে, আজি ঘৰ ব'দ, ঘৰ ঘৰষুণ, ইত্যাদি চেলু লৈ নিজৰ কামৰ পৰা আঁতৰি থাকি, গৰাকীৰ মনত খিৰাগ ওপজাই তেওঁৰ অনুগ্ৰহৰ পৰা বঞ্চিত হৈ নিজৰ উন্নতিৰ গুৰিত নিজে ৰবকুঠাৰ মাৰে। ডেক-বুঢ়া সকলোৱে এই কথাটি সদাই মনত ৰাখি চলিলে উপকাৰ পাব।

১১। নিৰ্দ্দিষ্ট কালত সদাই তোমাৰ কামলৈ আহিবা আৰু কাম কৰিবা :

ভাৰতবৰ্ষৰ মানুহৰ গাত সদায় এটা বদনাম লাগি আছে যে, তেওঁলোক ঠিক সময় মতে উপস্থিত হব নোৱাৰে। য়ুৰোপীয় সকলে আমাক এই দুৰ্নামৰ ভাগী কৰে, আৰু আমিও তাক অযথাৰ্থ বুলি ছাঁটকৈ কব নোৱাৰোঁ; কাৰণ আমাৰ গাৰ কালে চকু দিলেই আমি তাক সেই দোষত লুটুৰি-পুটুৰি দেখোঁ।

আমাৰ আগৰ ভৰপৰ বুঢ়া বা অশিক্ষিত গাঁৱলীয়া সকলৰ কথাকে নকওঁ, আজিকালিৰ লেখা-পঢ়া শিকি শৈশত হোৱা সকলৰ ভিতৰতো সৰহ ভাগ এই কেৰোণে খোৱা। সাহিত্য সভা বা অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা আবেলি তিনি বজাত বহিব বুলি জাননী কাকত ওলাল, সভ্যসকলৰ সৰহভাগ যথাসময়ত গোট খাই বহি আছে, সভাপতি ডাঙৰীয়া আহিব বুলি বাটলৈ চাওঁতে চাওঁতে তেওঁলোকৰ চকু খিয়াল, কিন্তু ডাঙৰীয়া হয় খাজিবলৈ

ছয় মিনিট থাকোঁতে আহি ভটং কৰে উদয়। সমজুৱাসকলৰো কোনো পাঁচ বজাত, কোনো পাচঁ বাজি কুৰি মিনিট যোৱাত, কোনো ছয় বজাত, কোনো সাত বজাত বা কোনো সভা ভাঙিবৰ সময়ত আহি উপস্থিত। সভালৈ আহোঁতে আমাৰ ডাঙৰীয়াসকলৰ এই গচ্-গতি এনে নহয়, ভোজ খাবলৈ আৰু বিয়া চাবলৈ যাওঁতেও, আন কি, মৰা পুৰিবলৈ যাওঁতেও একেশ জনৰ একেশটা স্বকীয়া সময়। আমি বহুমূলীয়া সময়ৰ মোল নুবুজোঁ। য়ুৰোপীয়সকলে সময়ৰ সদ্ব্যৱহাৰ ঘণ্টা মিনিট আৰু চেকেণ্ড ধৰি কৰে। সেইদেখি আজি তেওঁলোক উন্নতিৰ ওখ জখলাৰ ওখ খাপত আৰু আমি তলৰ খাপত। তেওঁলোকৰ আহি লৈ এই বহুমূলীয়া গুণটি শিকিবলৈ নেপাহৰিবা।

১২। কি ঘৰুৱা জীৱন, কি বেহা-বেপাৰুৱা জীৱন, কি চাকৰীয়া জীৱন, নিতৌ তাক সুব্যৱস্থিত আৰু সুগঠিত কৰি ৰাখিবা ঃ

কি খাটে আৰু কেনেভাৱে চলিবা সদায় তাৰ এটা ব্যৱস্থা বা প্ৰণালী ঠিক কৰি লবা। কেতিয়াও লক্ষ্যভ্ৰষ্ট আৰু কক্ষভ্ৰষ্ট নহবা। অকল মৰিমুজি কাম কৰিলে বা খাটিলেই সুফল পোৱা যায়, এনে নহয়। ঘোঁৰা, গৰু, গাধইও খাটে, কিন্তু প্ৰণালী আৰু লক্ষ্যলৈ চকু ৰাখোঁতা চালক নাথাকিলে সেই গাধা-খাটনিৰ মূল্য কি?

১৩। কাৰ্য্যৰ ৰব-সৰু, লাগতিয়াল অলাগতিয়াল আগেয়ে কৰিব লগীয়া, পিছত কৰিব লগীয়া, ততালিকে বিবেচনা কৰি তাক কৰিবলৈ মনক শিকনি দিবা ঃ

যাই কাম পিছলৈ থৈ পালি´কামত আগেয়ে হাত দি তোমাৰ সময় নষ্ট আৰু শক্তিৰ অপব্যৱহাৰ কেতিয়াও নকৰিবা। লাগতিয়ালটো আগেয়ে কৰি তাৰ পিছত কম লাগতিয়ালটো হাতত লবা। ইয়াৰ দ্বাৰাই এনে নুবুজিবা, যে তোমাৰ কৰিবলগীয়া কামৰ সুক্ষ্মাংশলৈ একেবাৰেই চকু দিব নালাগে। বৰং কামৰ সুক্ষ্মাংশলৈ চকু নিদি কাম কৰিলে সেই কাম সিদ্ধি হলেও সৰ্ব্বাঙ্গসুন্দৰ নহয়। ওপৰত কোৱা কথাৰ অভিপ্ৰায় এই যে যে অলপ সময়ৰ ভিতৰতে নৰ্বালৰিকৈ কোনো কাম সম্পন্ন কৰিবলগীয়া হোৱা যাবে, যদি সেই কামৰ কোনো অংশ নকৰি এৰিব লগাত পৰা যায় তেন্তে যেন কম লাগতিয়াল অংশহে এৰা পৰে। যাই কামক আগপাৰীত দি সৰু কাম পিছৰ পাৰীত থবা।

১৪। এধাডুখৰীয়া নহবা ঃ

যি কামকে শিকা বা কৰা, সদায় তাক সম্পূৰ্ণৰূপে মন দি ঠান্চা-থান্চাকৈ শিকিবা বা কৰিবা। এধাডুখৰীয়া শিকনি, এধাসিজা, এধাফুটা মাছ মঙহ আৰু ভাতৰ নিচিনা, সি পেটত পৰি কেতিয়াও সুখ নিদি অজীৰ্ণ ৰোগ ওপজায় মাথোন। এধাকেঁচেলীয়া বিদ্যা, এধাকেঁচেলীয়া কামৰ ফল, সময়, শৰীৰ আৰু সন্মান নষ্ট। কথা বা কাৰ্য্যৰ ওপৰে ওপৰে উবি ফুৰা পখিলাই সমুদ্ৰৰ তলৰ মুকুতা লভিব নোৱাৰে জানিবা। যিহকে পঢ়া, যিহকে শুনা, যিহকে শিকা, যিহকে কৰা, তাত সেইখিনি সময়ত গোটেই মন-প্ৰাণ-শক্তি সমৰ্পণ কৰি শুনিবা, শিকিবা আৰু কৰিবা।

১৫। কোনো কাৰ্য্য সিদ্ধি নোহোৱা পৰ্য্যন্ত তাত লেবালেপেৰাকৈ লাগিবা ঃ

প্ৰথম চেষ্টাত কোনো কাম হৈ নুঠিলে, দ্বিতীয় বাৰ চেষ্টা কৰিবা ; দ্বিতীয় বাৰত হৈ নুঠিলে তৃতীয় বাৰ কৰিবা ; তৃতীয় বাৰত হৈ নুঠিলে আকৌ চেষ্টা কৰিবা ; দেখিবা, শেহত তোমাৰ চেষ্টা সফল হবই। গজালটো একোবত নোসোমালে দুকোৰ তিনি কোৰ চাৰি কোৰ পাঁচ কোৰত সোমাবই লাগিব। যি এবাৰত কোনো ভাগৰ বা ভয় লাগি পিছ হুঁহকি পৰে, তাৰ কোনো কালে কোনো টান কাম কৰা হৈ নুঠে, আৰু উন্নতিও দুষ্প্ৰাপ্য হয়। পৃথিবীৰ ইতিহাসত এই কথাৰ উদাহৰণ অলেখ আছে। সিদিনাৰ বুৱৰ যুদ্ধৰ কালে চালেই দেখি যে ইংৰাজৰ জেনেৰেল ৰেডভাৰ্চ বুলৰে তিনিবাৰ চেষ্টা কৰিও লেডিস্মিথ্ নগৰ শত্ৰুৰ হাতৰপৰা উদ্ধাৰ কৰিব নোৱাৰি আশা এৰি গুচি আহিব খোজা মতত যদি লৰ্ড ৰবৰ্টচে মত দি আকৌ তাক উদ্ধাৰৰ চেষ্টা নকৰিলেহেঁতেন, তেন্তে আজি বুৱৰ যুদ্ধৰ ফল আমি আন প্ৰকাৰ দেখিলোহেঁতেন। স্কটলেণ্ডৰ ৱালেচ আৰু ব্ৰুচৰ কথা ইংলণ্ডৰ বুৰঞ্জী পঢ়াসকলে জানে। প্ৰাণপণে বাৰে বাৰে যত্ন কৰিও অনেক কাৰ্য্য সিদ্ধি নোহোৱা দেখা যায়। কিন্তু তথাপি যত্নৰ ত্ৰুটী কৰা উচিত নহয় ; তাৰপৰা মনত শান্তি পোৱা যায় আৰু আন অনেক উপকাৰ নিশ্চয় হয়। শাস্ত্ৰত আছে, "যত্নকৃতে যদি ন সিদ্ধ্যতে কোহত্ৰ দোষঃ"।

১৬। কাম পেলাই মনে তপকাৎ কৰিবা ঃ

কাম কৰিব কৰিব খুজি পেলাই থলেই তাত মানুহে থকে আৰু দি কৰা হৈ নুঠে। 'কিনোৱাকৈ

শুভ কাৰ্য্যত কেতিয়াও পিছৰি নকৰিবা। কৰিম কৰিম বুলি পেলাই থৈ বাৰণে তিনিটা ভাল কাম কৰিব নোৱাৰাৰ কথা, বাৰায়ণত লেখা আছে, সকলোৱে জানে। অশুভ কাৰ্য্য বৰং পেলাই থলে হানি নাই; কিন্তু তাকো দীঘলাই পেলাই থোৱাটো যুক্তিসঙ্গত নহয়। কাৰণ যি অমঙ্গলীয়া কাৰ্য্য কাইলৈ তোমাৰ গাত আহি পৰিবই, এৰণ নাই, সেই বিপদীয়া কামক টোপোলা বান্ধি পেলাই থোৱাতকৈ তৎক্ষণাৎ তাৰ সন্মুখ হোৱাটোৱেই পুৰুষাৰ্থ। অমঙ্গলক "ডেমক্লিচৰ" তৰোৱালৰ দৰে মূৰৰ ওপৰত ওলোমাই যিমান থাকা, সিমান সি তোমাৰ মনত অশান্তি ওপজাব।

১৭। যি কামৰ ভাৰ তোমাৰ গাত পৰে তাক মন দি অন্তৰৰ অন্তঃকৰণেৰে সৈতে কৰিবা:

যি কাম তুমি কৰিবলগীয়াত পৰা তাক কৰ্তব্য ভাবি এহাতুৰীয়াকৈ কৰিবা। সেই কাম তোমাৰ পোনতে ভাল নেলাগিলেও, ৮টা কৰি ভাল পাবলৈ শিকিবা; দেখিবা তাক শেহত তোমাৰ ভাল লাগিবই। কামটো দুদিনীয়াই হওক বা চিৰস্থায়ীয়েই হওক, তাত সমানে মন লগাবা। দিনচেৰেকলৈ কোনো চাকৰিত একটিং কৰা ভালেমান চাকৰীয়া ডেকাই সেই কামত মন নিদি কোনোমতে পাল মাৰি দিন কটাবলৈ কাৰবাৰ কৰে। তেওঁলোকৰ সেইটো মহাভুল; আৰু শেহত তেওঁলোকে সেই বাবে আপুনি ঠগ খায়। এদিনলৈ কাম সুন্দৰকৈ কৰিও যদি তুমি গৱাকীৰ চকুত লগা হব পাৰা, দেখিবা, তোমাৰ গৱাকীয়ে তোমাক আকৌ বিচাৰিব, আৰু তেওঁৰ অনুগ্ৰহত তুমি আন চিৰস্থায়ী কামত লাগি যাব পাৰিবা। বেয়া টকা দুখৰ এবাৰ চলি গলেও শেহত সি ধৰা পৰি কটা যায়; আৰু নিভাঁজৰা টকাৰ মৰণ নাই। স্বাৰ্থৰ পিনে লক্ষ্য থকা চতুৰ গৱাকীয়ে একে দিনাই তোমাক বজাই চাই চিনি পেলাব জানিবা। তোমাৰ ভাল নলগা কাম কৰিব লগীয়াত পৰিলেও যদি তুমি তাত সম্পূৰ্ণ মন দি ভালকৈ তাক কৰা, তেতিয়া তুমি সেই কাম এৰি আন কামলৈ যাবা, তেতিয়া সেই আগৰ কাম কৰি থকা জ্ঞানে তোমাক নতুন কামত সহায় কৰিব, নিশ্চয় জানিবা। তোমাৰ মনৰ চালেৰে সৈতে নিমিলা কোনো বেয়া কামত যদি ভুলক্ৰমে তুমি পৰাও, যিমান সোনকালে পাৰা তাৰপৰা ওলাবলৈ চেষ্টা কৰিবা। তেনে কাম বা ব্যৱসায়ত লাগি থাকি তোমাৰ বয়স ভাটি দিবলৈ কেতিয়াও নিদিবা।

১৮। কৰিবলগীয়া কামৰ এটা তালিকা দিনটো চকুৰ আগত থৈ দিবা:

১৯। সদায় তোমাৰ জেপত নোটবুক আৰু পেঞ্চিল ৰাখি সকলো আৱশ্যকীয় কথা আৰু কাম তাত লেখি থবা:

তোমাৰ স্মৰণশক্তি যিমানেই চোকা হওক, সি প্ৰৱঞ্চক জানিবা। কথা পাহৰিবলৈ সৰহ আটক নেলাগে। বিবিধাকে ঘটনা, কথা, অঙ্গীকাৰ, কৰ্তব্য, আৰু সুন্দৰ ভাব সদায় মনত ৰখা উচিত তাক ততালিকে সেই নোটবুকত লেখি থব। তুমি পঢ়া কোনো কিতাপৰ সুন্দৰ অংশ, লোকেৰে সৈতে কথাবাৰ্ত্তাত শুনা ধুনীয়া কথা, মনত ৰংলগোৱা সৰু গল্প, ভাল ঠাট্টা ইত্যাদি সেই নোটবুকত ঠাই পালে, সময়ত সি তোমাক উপকাৰ দিব।

২০। লোকৰ কথা মন দি শুনিবা, ভাল কিতাপ মন দি পঢ়িবা, আৰু তাৰ অসাৰৰা ভাগ বাদ দি সাৰৰা ভাগ জুকিয়াই মনত থবা:

তিনি ভাগৰ দুভাগ মানুহে তিনি ভাগৰ এভাগ কথা তেওঁলোকৰ কাণত সোমাবলৈ নিদিয়ে; দ্বিতীয় ভাগ তেওঁলোকে এধাডুখৰীয়াকৈ বুজি সুমায়, আৰু বাকী ভাগৰ সৰহখিনি তেতিয়াই বা তাৰ অলপ পিছতে তেওঁলোকৰ কাণৰ বিন্ধাৰে পৰা, পাখি-লগা উঁইপৰুৱা ওলাই যোৱাদি, সৰ্ সৰ্ কৰে উৰি গুচি যায়। এই শাৰীৰ মানুহ এই সংসাৰত ধাপত-গজা, পোকে খোৱা, জোঠা আমৰ নিচিনাকৈ অকামিলাৰ লেখত পৰি গেলি-পচি সৰি নাইকিয়া হয়। তেওঁলোকে মৰিবৰ কালত কাৰো পৰা পথৰ সম্বল এটা হমুনিয়াহো লৈ যাব নোৱাৰে। তেওঁলোক "আহিল কণা, গ'ল কণা, খাগৰি কাটিলে তিনি কনা।"

২১। তোমাৰ দোষ শুধৰাবলৈ আৰু গুণ বঢ়াবলৈ দৃঢ়প্ৰতিজ্ঞ হবা:

এই প্ৰতিজ্ঞা তোমাৰ মনত কৰিবা, আৰু "নোটবুক" বা "ডায়েৰিবুক"তো লেখি, আজিৰ পৰা কৰিম বুলি সংকল্প কৰিবা। দিনটো শোৱা পাটীত পৰিবৰ আগেয়ে সেইদিনা তুমি কি সজ কাম, কি বেয়া কাম কৰিলা তাক মনতে লুটিয়াই-বগৰাই ভাবি-চিন্তি চাবা। অন্যায় কাম কৰা পালে, আকৌ তেনে নকৰোঁ বুলি মনত খিবাং কৰিবা; আৰু সজ কাম কৰা পালে, তেনে কাম আকৌ কৰিবলৈ নিশ্চয় কৰিবা।

এই আপোন কাৰ্য্যৰ বা চৰিত্ৰৰ সমালোচনা কৰি শুধৰণিৰ সংকল্প, নিতৌ "নোটবুক" বা

ডায়েৰী-বুকত লেখিবা। নিজৰ জন্ম-দিন, বা ন বছৰৰ প্ৰথম দিন, বা তেনে কোনো বিশেষ পৰ্ব্ব দিনত গোটেই বছৰৰ জীৱনৰ দোষ-গুণ চাই শুধৰণিৰ সংকল্প ডায়েৰী-বুকত ভালকৈ লেখিবা। বিশেষ, নিতৌ শুধৰণিয়ে নিতৌ ঘৰ সৰা-মচা সোতা-বাঢ়নীৰ কাম কৰে। বিশেষ দিনত চৰিত্ৰৰ বিশেষ সমালোচনা আৰু শুধৰণিৰ সংকল্পই বিহুৰে-পৰ্ব্বই বিশেষভাৱে গোবৰ মাটি দি ঘৰ লেপি-মচি নিকা কৰাৰ নিচিনা হয়।

২২। তোমাৰ যি ক্ষমতা আছে, অন্যৰ নহয়, তাকে কামত সম্পূৰ্ণৰূপে প্ৰয়োগ কৰিবা ঃ

চোকাবুধীয়া আৰু বলী মানুহেও যদি কামত তেওঁৰ বুদ্ধি আৰু বল ভালকৈ নলগায়, নিশ্চয় তাত মামৰে ধৰে ; আৰু সি মাটিত পুতি থোৱা ধনৰ নিচিনা বঁজা হয়। সাধাৰণ বুদ্ধি আৰু ক্ষমতা থকা মানুহেও নিজৰ বুদ্ধি আৰু ক্ষমতা নিয়মমতে কাৰ্য্যত প্ৰয়োগ কৰি সুফল লাভ কৰে। দা-কটাৰী যিমানেই চোকা হওক, সি ব্যৱহাৰৰ অভাৱত মামৰে খোৱা ভোটা হয় ; আৰু ভোটা দাকো শাণ দি ব্যৱহাৰ কৰি থাকিলে তাৰ চোক ওলায়, আৰু তাৰে অনেক উপকাৰী কাম কৰিব পাৰি। তোমাৰ বুদ্ধি আৰু ক্ষমতা যেনেই হওক, উদ্যোগী হৈ কাম কৰিলে তুমি কৃতকাৰ্য্য হ'বা।

"উদ্যোগিনং পুৰুষসিংহমুপৈতি লক্ষ্মী।
কাপুৰুষা এব দৈৱমৱলম্বন্তে॥"

২৩। আহৰি কালত সদ্ব্যৱহাৰ কৰিবা ঃ

কাম কৰি খাটি-খেলি আহৰি পাইছো বুলি তাক শুই, মিছা মেল পাতি, বা তৰা-পাশা-তাচ আদি খেলি, অথবা পৰনিন্দা বা পৰৰ সমালোচনা কৰি নকটাবা। কেতিয়াও পাহৰিব নেলাগে যে আহৰি কালৰো মূল্য আছে। তোমাৰ আহৰি কালটো, ভাল কিতাপ, ঈশ্বৰ চিন্তা, বা সজলোকেৰে সৈতে সদালাপত কটাবা। মহাত্মা গ্লেডষ্টোন চাহাবৰ জীৱন ইয়াৰ কটকটীয়া আহি।

২৪। কেতিয়াও নিজৰ বা পৰৰ ওপৰত লৰালৰিকৈ এটা মত গঠন নকৰিবা ঃ

লৰালৰিকৈ কৰা কাম অসম্পূৰ্ণ হয়, আৰু তাত প্ৰায় ভুল থাকে। লৰালৰিকৈ গঢ়া মতো এই নিয়মৰ বাহিৰ হব নোৱাৰে। লোকৰ কথাকে আদি নকৰুঁ তুমি নিজকে ভালকৈ নুবুজি নিজৰ ওপৰত এটা মত গঠন কৰি ললে কাইলৈ সেই মত ভুল প্ৰমাণ হোৱাটো একো আচৰিত নহয়। বহুত ডেকাই বিশ্ববিদ্যালয়ৰ মহলাত উঠিব নোৱাৰি, নিজক অকামিলা মূৰ্খ ভাবি, নিৰাশাৰ নাদত পাৰত্ত ভৰি দি আত্মহত্যা পৰ্য্যন্ত কৰিবলৈ আগবঢ়া দেখা যায়। সি হঠাৎ নিজৰ বিষয়ে এটা ভুল মত সাজি লোৱাৰ ফল মাথোন। ছাৰ ওৱাল্টাৰ স্কট আৰু ডাৰুউইন প্ৰভৃতিৰ ছাত্ৰ-জীৱন আলোচনা কৰিলে এই হঠকাৰিতাৰ অসাৰত্ব বুজিব পাৰি। জগদ্বিখ্যাত অদ্বিতীয় নেপোলিয়ান বোনাপাৰ্ট আৰু ওৱাটাৰ্লুত তেওঁৰ গৌৰৱধ্বজা নমাওঁতা ওৱেলিংটনৰ ভিতৰৰ কোনেও তেওঁলোকৰ লৰা-কালৰ জীৱনত ভৱিষ্যত মহত্বৰ চিনাকি দিব পৰা নাছিল। ইংৰাজ-ৰাজ-লক্ষ্মীৰ বিজয়-মুকুটত ভাৰত-কহিনূৰ আৰোঁতা ক্লাইৱে স্কুলত পঢ়োঁতে তেওঁৰ নগৰীয়া ছাত্ৰৰ মাজত মহামূৰ্খ নাম পাইছিল। জেনেৰেল গ্ৰাণ্টৰ বুদ্ধিৰ চোক লাহে লাহে শেহবয়সতহে ওলাইছিল। স্কট্‌লেণ্ডৰ বিখ্যাত কবি আৰু গান ৰচোঁতা বৰ্ণছ্‌ ইস্কুলত ভোটাবুধীয়া বুলি বিদিত আছিল। তেওঁৰ অধ্যাপকে গীৰ্জ্জাঘৰত গোৱা ধৰ্মসঙ্গীত, তেওঁক শিকাব নোৱাৰি হৰিছিল। চেৰিডনৰ অধ্যাপক ডাক্তৰ পেৰিয়ে চেৰিডনক ইস্কুলত অকামিলা ল'ৰাৰ শাৰীত পেলাই থৈছিল। গল্ডস্মিথৰ নগৰীয়া ছাত্ৰবিলাকে তেওঁৰ নাম "বৰ্দ্ধ অলগৰ্দ্ধ" থৈছিল। পৰৰ বিষয়েও লৰালৰিকৈ মত নগঢ়িবা। আজি যাক তুমি ভালকৈ জানিব বা বুজিব নোৱাৰি বেয়া বা ভাল ভাবিছা, তাৰ বিষয়ে কাইলৈ জানিলে, সম্ভৱতঃ তোমাৰ মত বদলাব লাগিব। কোনো লোকক অলপমান জানিয়েই তাৰ বিষয়ে এটা ধাৰণা কৰি লোৱাটো ঠিক ছয় কণাই হাতী দেখাৰ নিচিনা। অসম্পূৰ্ণকৈ জনাৰ বাবে যদি সজলোকক তুমি বেয়া বুলি মনত ভুল ধাৰণা কৰিলা, তেন্তে ভাবি চোৱাচোন তেওঁক তুমি মিছাতে কিমান অন্যায় কৰিলা। কোনো এটা কাম বা ব্যৱহাৰ দেখি এজন লোকক কেতিয়াও সম্পূৰ্ণৰূপে বুজিব নোৱাৰি। লৰালৰিকৈ মত গঠন কৰা আৰু গঠন কৰি তাক প্ৰকাশ কৰা লোকৰ পদে পদে বিপদ।

২৫। খং দমিবা ঃ

খং খন্তেকীয়া উন্মত্ততা। এই বলিয়া অৱস্থাত মানুহে এনে কাম কৰে যে খং মাৰ গলে তেওঁ তাৰ নিমিত্তে লাজ পায় আৰু অনুতাপ কৰিবলগীয়া হয়। সেইদেখি সদায় খঙৰ মুখত টান লেকাম লগাই ধৰলৈ নেপাহৰিবা। ভালেমান লেখাপঢ়া জনা, আন প্ৰকাৰে সজলোকে, "খং নামে চণ্ডালক" দমিব নোৱাৰি নিজৰ উন্নতিৰ গুৰিত নিজে ঘৰ-

কুঠাৰ মাৰে। বৰ খঙাল মানুহেও চেষ্টা কৰি লাহে লাহে অভ্যাসৰ সোঁতত পেলাই খঙক নিজৰ বশলৈ আনিব পাৰে। তাৰ খং আছে বুলিয়েই যে সি মানুহটো গুচিল, এনে নেভাবিবা। খং সকলোৰে আছে আৰু থকাটো একো বেয়া কথাও নহয়। অনেক সময়ত সেই খঙৰ আৱশ্যকতাও আছে। কিন্তু সেই তাজী ঘোঁৰাক সদায় ডবল লেকাম লগাই কৰতলীয়া কৰি ৰাখিব লাগে। খঙত অলি-পকি থকা মানুহৰ স্বাস্থ্যহানি হয়; তেহেলৈ সেই খং চিঞৰি-বাখৰি দেখুৱাই কৰাই হওক বা মনতে লুকুৱাই থোৱাহে হওক।

২৬। মনটো সদাই থিৰকৈ ৰাখিবলৈ শিকিবা ঃ

অস্থিৰ মনৰ মানুহৰ খোজেপতি বিপদ। চিত্তক ব্যৱস্থিত কৰি ৰাখিবা। "অব্যৱস্থিত চিত্তস্য প্ৰসাদোঽপি ভয়ঙ্কৰঃ" বুলি নীতিশাস্ত্ৰই কৈছে। ল'ৰাকালৰেপৰা মন থিৰ কৰি ৰখা অভ্যাস কৰিবলৈ সকলোৱে যতন কৰিব লাগে।

২৭। সদাই আনন্দ মনেৰে থাকিবলৈ চেষ্টা কৰিবা ঃ

বিপদত মন মাৰি মুজুৰা হৈ নেথাকি শীঘ্ৰে সেই বিপদৰ ভাৰৰ উৰি যাব ভাবি, পৰমেশ্বৰৰ ওচৰত ভৱিষ্যতৰ মঙ্গল কামনা কৰি ৰং মনেৰে থাকিলে বিপদে তোমাক কাবু কৰিব নোৱাৰে।

'সন্তুষ্টস্য সদা সুখম' বুলি শাস্ত্ৰত কৈছে। আপোনাৰ মনৰ অৱস্থাত সুখ-দুখ স্বৰ্গ-নৰক জানিবা। অমঙ্গলৰ পৰাও মঙ্গল ওলায়। আনন্দৰ মুখ দাপোনৰ দৰে। তাত লোকৰ হাঁহি-মুখৰ ছাঁ পৰে। "আপোন ভালে জগৎ ভাল" বুলি বুঢ়া লোকে কয়। অনেক সময়ত সুফল-কুফল ঈশ্বৰৰ চৰণত সমৰ্পণ কৰি নিষ্কাম ভাবে কাৰ্য্য কৰিলে সুফল পোৱা যায়। মনত শান্তি লভিবৰ ই এটা যাই উপায়। ইয়াৰ দ্বাৰাই এনে নুবুজিবা যে উচ্চ আশা মনত পোহা নেয়া। সৎকাৰ্য্যত উচ্চ আশা সদায় কৰিবা; অৱশ্যে সেই ওখ আশাক সুশাসনৰ তললৈ আনি।

২৮। কোনো কাম কৰিব নোৱাৰিলে বুলি বেজাৰ কৰি লেখেজা পাৰি নেথাকিবা ঃ

যি কাম তোমাৰ অসাধ্য হৈ পৰিল তাক কৰিব নোৱাৰাত একো দায় নাই। তুমি যে সেই কাৰ্য্য এহাতুৱীয়া কৰিবলৈ যতন কৰিছিলা, সেয়েই তোমাৰ পুৰস্কাৰ, আৰু সেই সৎ চেষ্টাৰ বাবেই তোমাৰ মুৰত আশীৰ্ব্বাদৰ পুষ্পবৃষ্টি হ'ব জানিবা।

২৯। অতিৰিক্ত পৰিশ্ৰম নকৰিবা ঃ

ভালেমান ব্যৱসায়ী মানুহৰ এনে ধাৰণা আছে যে আহাৰ-নিদ্ৰালৈ আওকাণ কৰি অতিৰিক্ত পৰিশ্ৰম কৰি হাবাথুৰি খাই ফুৰিলেহে কাম সিদ্ধি হয়, আৰু কাৰ্য্যদক্ষ বোলাব পাৰি। এইটো ভুল। "সৰ্ব্বমত্যন্ত গৰ্হিতং" বুলি শাস্ত্ৰত কয়। অতিৰিক্ত শ্ৰম কৰি আগবঢ়োৱা কামবোৰ, অতিৰিক্ত পৰিশ্ৰমৰ বাবে ৰুগীয়া দুৰ্গীয়া আৰু কুৰীয়া হৈ পৰি থাকি পিছত হেকস্বাৰ লগীয়াত পৰা যায়। অৰ্থাৎ শেহত সেই কামবোৰ হোৱা লাভ লোকচানৰ 'হিচাব-নিকাচ' কৰি "বিলাতবাকী" আদায়-অনাদায় আদি ধৰি চালে লাভৰ ঘৰত শূন্য দেখিবলৈ পোৱা যায়। নিয়মিত পৰিশ্ৰম কৰি কাম কৰোঁতাক অতিৰিক্ত পৰিশ্ৰম কৰোঁতাই বলে নোৱাৰে। সামঞ্জস্য ৰাখি নিয়মিত পৰিশ্ৰম কৰোঁতাৰ কাৰ্য্যৰ ভেঁটি সুদৃঢ়। ঈশ্বৰৰ ৰাজ্যত অতিৰিক্ত আৰু অনিয়মৰ ঠাই নাই।

৩০। শক্তি অনুসাৰে কাম কৰিবলৈ হেঁপাহ কৰিবা ঃ

"শক্তি চাই ভক্তি" বুলি কথাতে কয়। সৰহকৈ খাওঁ বুলি ৰবকৈ আঁ কৰি সৰহকৈ মুখত সুমালে মুখ ফাটে। তুমি যদি কামত কৃতী হব আৰু সমাজত উন্নতি লভিব খোজা তেন্তে নিজৰ সামৰ্থ্য বুজি চলিবা আৰু কৰিবা। তুমি যিমানৰ মানুহ সিমান কৰিবলৈ যত্ন কৰিবা।

টিপচী হৈ গৰুওৰ উৰাও মাৰিবলৈ নেযাবা। তুমি যি তাকে লোকক দেখুৱাবা। ধৃচাই ফাইদাং মাৰি ফুৰা মানুহ ফটুৱাৰ শাৰীলৈ নামে আৰু দুদিন এদিনতে লোকৰপৰা তেওঁ তেওঁৰ প্ৰকৃত বেচ অৰ্থাৎ অসন্মান আৰু ইতিকিং পায়।

৩১। যি হৈ গল তাৰ নিমিত্তে বেজাৰ কৰি কাল নকটাবা ঃ

"গতস্য শোচনা নাস্তি" এই বচন মনত ৰাখিবা। কালিৰ কথাত শোক কৰি কাল কটালে তোমাৰ আজিও হেৰাব। বৰ্ত্তমানৰ সদ্ব্যৱহাৰ কৰিবা।

৩২। বিপদ আহিলে সাহিয়াল পুৰুষৰ দৰে তাৰ সন্মুখ হৈ তাক জয় কৰিবলৈ যতন কৰিবা ঃ

জয় হলে আনন্দত উত্ৰাৱল নহবা, আৰু হাৰিলেও বীৰ পুৰুষৰ চিনাকৈ সেই হাৰ কান্ধ পাতি লবা অৰ্থাৎ বিপদত ক্ষত্ৰিয় হবা।

"হাৰিয়া জিনয় কেহো জিনিয়া হাৰয়।
কোনো কালে ক্ষত্ৰিয়ৰ নাহি পৰাজয়॥"

৩৩। কামত অস্থিৰ, চঞ্চল, আৰু অনাৱশ্যকত খৰ নহবা ঃ

আজিকালিৰ ব্যৱসায়ী মানুহৰ গাত এইটো দোষ সততে দেখিবলৈ পোৱা যায়। তেওঁলোকৰ খাবলৈ সময় নাই, শুবলৈ সময় নাই, ল'ৰা-তিৰুতা বন্ধু-বান্ধৱেৰে সৈতে থিৰ মনেৰে বহি দুটা কথা কবলৈ সময় নাই। তেওঁলোকে হাবাথুৰি খাই কৰকৰাই ফুৰি যে নিজৰ বেহা-বেপাৰত আনতকৈ কিবা বিশেষ সুবিধা কৰিব পাৰে, এনে নেভাবিবা। তেওঁলোক আপোনাৰ ভাপতে আপুনি কৰ্‌কৰাই উতলি পৰি অকালত টুটি যায় মাথোন। আমে-ৰিকানবিলাকৰ গাত আজিকালি এইটো দোষ সৰহকৈ ঠাই লোৱা সকলোৰে চকুত পৰিছে। এই দোষৰ শেহ ফল নিশ্চয় বেয়া। এই শ্ৰেণীৰ মানুহৰ শৰীৰ, মন আৰু বুদ্ধিৰ ৰাজ্যত লাহে লাহে বিদ্ৰোহৰ তুঁহ জুই জ্বলি আথান্তৰ মিলে। তেওঁলোকৰ গাত তেজৰ চলাচল সুকলমে নঘটে; মন উগুল-থুগুল কৰি থকা অৱস্থাত পৰেগৈ; আৰু বুদ্ধিৰ ধাৰ পৰি যায়। এই বিধ মানুহে, য'ত আৱশ্যক নাই, তাতো লৰালৰি লগাই কামৰ অনিষ্ট কৰে; জোলোঙাত জাপি ভৰাবলৈ গৈ সময় নষ্ট কৰে আৰু হালত নাঙল ঠেলিব নোৱাৰে, নাঙলেহে তেওঁলোকক ঠেলে। কলিকতাৰ কেৰেয়া গাড়ীৰ ঘোঁৰাৰ নিচিনা এই বিধ মানুহ হকতেই হওক বা অনাহকতেই হওক সদায় অতি খাটনিত পৰি লেবেলা চেবেলা আৰু মৰ্‌কেলেপ হয়; কুৰিশতিকাৰ কামৰ অৰিয়াঅৰিত পৰি কি ছাত্ৰ, কি ডাক্তৰ, কি উকিল, কি মুদৈ, কি সদাগৰ প্ৰায় সকলোৱেই আজিকালি এই হেৰাথুৰি খাই ফুৰা অৱস্থাত পৰিছে। ডেকাসকল এই বিষয়ত গুৰিৰে পৰা সাৱধান হোৱা ভাল। ইস্কুল-কলেজৰ ভালে-মান ছাত্ৰৰে বছৰৰ আগ ডোখৰ ঢিলা ঢোলোকাকৈ পঢ়ি বা নপঢ়ি পৰীক্ষাৰ ওচৰা-উচৰিত মৰোঁ-মীওঁ-মোঁ-আধি কৰি ওৰে ৰাতি তেল পুৰি পঢ়িবলৈ ধৰে। এইদৰে লাগি কোনোৱে মহলাত উঠিলেও স্বাস্থ্য হেৰুৱাই যে তেওঁ চিৰদিনলৈকে কপীয়া দুখীয়া হ'ব, এই কথা তেওঁৰ মনত তেতিয়া নেখে-লায়। অনিয়মিত পৰিশ্ৰম কৰি তেওঁলোকে যি ঘটে, গোটেইটো জীৱন তাৰ সুত ভৰি ধাৰ শুজো-তেই যায়। একে ৰাতিৰ ভিতৰতে ধনী হ'ব খোজা-সকলৰ জান-দৰিদ্ৰ ভিকহ হৈ থাকোঁতেই প্ৰায় কাল কাটে। কাচিৎ ধন পালেও তেওঁলোকে তাতকৈ হেজাৰ গুণে মূল্যবান স্বাস্থ্য হেৰুৱায়। তেওঁলোকৰ যহ অৰ্জ্জন হলেও দেহ ভগন হয়। জীয়াই থকা দিনকেইটাত নৰিয়াই তেওঁলোকৰ লগ নেৰে।

৩৪। স্বাস্থ্যৰক্ষাৰ নিয়ম কেতিয়াও উলঙ্ঘা নকৰিবা ঃ

স্বাস্থ্যৰক্ষাৰ নিয়ম অমান্য কৰি চলিলে স্বাস্থ্যই অপমানিত বিবেচনা কৰি তোমাক শাস্তি দি এৰি নিশ্চয় গুচি যাব। অসুস্থ মানুহে মন থাকিলেও কোনো কাম কৰিব নোৱাৰে। ৰোগত ভুগা মানুহৰ দুৰ্দ্দশাৰ অন্ত নেথাকে। শৰীৰ ভালে ৰখাটো সকলোৰে প্ৰথম কৰ্ত্তব্য। "শৰীৰমাদ্যং খলুধৰ্ম্ম সাধনম্" জ্ঞানীলোকৰ বচন। The health is wealth অৰ্থাৎ স্বাস্থ্যই ধন-সম্পত্তি। অগাঢ় পণ্ডিত এমাৰ্চনৰ এই মহমূলীয়া কথাটি সকলো মানুহৰ মনত শিলৰ ৰেখ বহাদি বহি থকা উচিত। তুমি কি খোৱা তাৰ ওপৰত সদায় চকু ৰাখিবা। কাৰণ যেনে আহাৰ তেনে শৰীৰ তেনে স্বাস্থ্য আৰু তেনে স্বভাৱ তোমাৰ হ'ব জানিবা। কনুৱা চৰাইয়ে মাছ গিলাদি লৰালৰিকৈ চকু মুদি কপ্‌কপ্‌কৈ এগাল ভাত গিলি ইস্কুল-কেছাৰী বা তোমাৰ কামলৈ লৰ ধৰিলেই নহ'ব। তেনে লৰালৰিকৈ খোৱা এথা ফুটা এথা সিজা আহাৰৰ ফল বিষময় হয়। যি আহাৰে তোমাক সুজে আৰু তোমাৰ স্বাস্থ্যৰ উন্নতি কৰে, তেনে খাদ্য নিয়ম মতে আস্তে-সুস্থে ভালকৈ চোবাই খাবা। গ্লেডষ্টোনে নিয়ম মতে লেখি লেখি চোবাই মঙহ আদি খোৱাৰ কথা সকলোৱে জানে। চোবাই খাবলগীয়া আহাৰ কপ্‌কপ্‌ কৰে নিগিলি ভালকৈ চোবাই খাবলৈ কেতিয়াও আওহেলা নকৰিবা; কাৰণ ঢেকুলীৰ নিচিনাকৈ তোমাৰ পেটত দাঁত নাই জানিবা। লোকেৰে সৈতে লগ লাগি বহি ৰং-ধেমালিৰ কথা কৈ প্ৰফুল্ল মনেৰে খালে সৰহকৈ খাবও পাৰি আৰু খোৱা আহাৰ ভালকৈ জীণ যায়। ভাত খাবৰ আগেয়ে কেতিয়াও মনত খং উঠিব নিদিবা। আৰু ভাতৰ পাতত বহি এইখন আঞ্জা বেয়া, সেইখন ভজা বেয়া ইত্যাদি খেচ-পেঁচ ধৰি ৰান্ধনীৰে সৈতে দন্দ-হাই-খৰিয়াল কৰি ভাত খালে তোমাৰ পৰিপাক শক্তিৰ অনিষ্ট হ'ব নিশ্চয় জানিবা। বাপেক-মাকে সৰু কথাতে খৰিয়াল কৰি আহি দেখুৱাই ল'ৰা-ছোৱালীক এই বেয়া স্বভাৱটো শিকি-কাবলৈ সদায় সাৱধান থাকিব লাগে। বেঞ্জামিন ফ্ৰেঙ্কলিনৰ বাপেক-মাকে খাবৰ সময়ত, ৰান্ধনীয়ে ৰান্ধি আনি দিয়া খাদ্য ভাল-বেয়া সমালোচনা কেতিয়াও নকৰিছিল, আৰু পুতেকহঁতকো কৰিব নিদিছিল। সদায় নিৰূপিত কালত খাবা। আজি পুৱা, কাইলৈ দুপৰীয়া, পৰহিলৈ তিনিপৰীয়া খালে তোমাৰ গাত অজীৰ্ণ ৰোগে বাহ লব নিশ্চয় জানিবা। য়ুৰোপীয়ানে বিলাস কামতে মগন থাকক,

নিৰ্দ্দিষ্ট সময়ত কাম কৰিব, ৰং-ধেমালি কৰিব আৰু খাবই ; আমাৰ মানুহে এতিয়া কাম কৰিছোঁ, পিছত খাম, এতিয়া খাই শুই লওঁ, পিছত কাম কৰিম বুলি সদায় অনিয়ম কৰি অকালত খাই-শুই কাম কৰি নিজৰ স্বাস্থ্য বেচি কাম কিনে, কাম বেচি টোপনি কিনে, টোপনি বেহাই নবিয়া কিনে। য়ুৰোপীয়সকলৰ আন আন অনেক শিকিবলগীয়া ভাল গুণৰ ভিতৰত, খোৱা, শোৱা, কাম আৰু ধেমালিৰ খাদ্ধ-ছাটবিলাক আমাৰ মানুহে খাইকৈ শিকিবলগীয়া, কাৰণ তাৰ ওপৰত আমাৰ স্বাস্থ্য, সুখ, দুখ আৰু জীৱন নিৰ্ভৰ কৰে। খোৱা ঘৰটো, খোৱা ঠাইখন সদায় নিকা, বতাহ বলা আৰু ঘিণ নলগা হব লাগে ; তেহেলৈ তুমি ইংৰাজী প্ৰথাতেই খোৱা বা দেশী নিয়মেই খোৱা। আহাৰৰ মাজত ঘনে ঘনে পানী নেখাবা। তেনেকৈ খোৱাসকলে পানীৰ লগতে অজীৰ্ণ ৰোগকো পেটৰ ভিতৰলৈ সুমায়। নিকা, মলি নথকা, ছেকা বা "ফিলটাৰ্ড" পানী খাবা। পানীৰ বিষয়ত সদাই সাৱধান হবা। সদাই গা ধুই গা নিকা কৰি ৰাখিবা। গা খোৱা পানী কুহুমীয়া হলে ভাল। ধোৱা নিকা কাপোৰ-কানি পিন্ধিবা। তৰপে তৰপে মলিৰে তেল-চিকটীয়া কাপোৰ পানীত জুবুৰিয়াই আৰু ৰ'দাই পিন্ধিলেই অথবা তিনিপুৰুষীয়া মলিৰে ক'লা পাটৰ চুৰিয়া বা বগাচুৰিয়া পিন্ধি শুচি হৈছোঁ বুলি ফুৰিলেই শুচি নোহোৱা, নিশ্চয় জানিবা। শোৱা পাটীৰ তুলি আৰু কাপোৰ আৰু তলত পৰা দিনৌ ৰ'দাবা আৰু বতাহত থবা। শোৱা ঘৰ ভালকৈ বতাহ বলা হব লাগে। টোপনি সাত আঠ ঘণ্টাৰ কম নক-ৰিবা। ৰাতি দহ বজাৰ পিছলৈ শুবলৈ নেথাকিবা। আৰু ৰাতিপুৱাই উঠি প্ৰাতঃকৃত্যাদি সমাপন কৰি মুকলি বতাহত ফুৰিবা। নিৰ্দ্দিষ্ট সময়ত ব্যায়াম আদি কৰিবা। মুদ্গৰ ঘুৰোৱা, কুস্তি কৰা বা আজিকালি ওলোৱা "চেণ্ডো" আদিৰ মতে ব্যায়াম কৰিবলৈ হেলা নকৰিবা। তোমাৰ গাড়ী-ঘোঁৰা-হাতী আছে বুলি খোজ কাঢ়ি ফুৰিব নেথাকিবা। খোজ কাঢ়িব নোখোজা খোদ ডাঙৰ মানুহ পেটুৱা বা পখালি কোমোৰা হৈ অকামিলা হয়। তেনে মানুহৰ লগৰ পৰা ৰাবটো মাহৰ তেৰটা নৰিয়াৰ জগৰ কেতিয়াও নুগুচে। সৰহকৈ নেখাবা, তাকৰকৈ নেখাবা, পেটৰ তিনি ভাগৰ এভাগ সদায় খালি ৰাখিবা ; তেহেলৈ তুমি ভোজকে খোৱা বা দৈনিক খোৱাকে খোৱা, নাইবা পৰৰে খোৱা। ভোজ খাবলৈ বহিলে বা লোকৰ ওপৰত খাবলৈ পালে, অনেকৰ ডিঙিলৈকে খজা অভ্যাস আছে ; কিন্তু তেওঁলোকে এইকেৰা ভাবি নেচায় যে বস্তু লোকৰ হলেও পেটটি নিজৰ। "অতি ভোজনং ৰোগমূলং আয়ুক্ষয়কৰং" বুলি শাস্ত্ৰত কোৱা কথা মনত ৰাখিবা। খোৱা পাতত বা মেজত বহি তোমাৰ নিজ বেহা-বেপাৰ বা বিষয়-কাৰ্য্যৰ কথাকে উৰাই-ঘুৰাই কৈ নেথাকিবা। সেই অসভ্য অভ্যাস থাকিলে এৰিবা। খোৱাৰ পিছত অন্ততঃ আধাঘণ্টামান জিৰাই তাৰ পিছতহে কামত লাগিবা। খোৱাৰ পিছত লৰি খোজ নেকাঢ়িবা। 'মৃত্যুৰ্ধাৱতি ধাৱতঃ' শাস্ত্ৰৰ লচন।

৩৫। সৰ্ব্বাঙ্গসুন্দৰ উন্নতি কৰিবলৈ লক্ষ্য ৰাখিবা ঃ

তোমাৰ শাৰীৰিক, মানসিক আৰু নৈতিক উন্নতিত সমানে চকু দিবা। ব্যায়ামাদিত গোটেই মন দি উন্নতিলৈ আওহেলা কৰিলে তুমি এটা মাল বা অসুৰ হ'ব পাৰিবা, কিন্তু ঈশ্বৰৰ সৃষ্টিৰ কলচী সৰ্ব্বাঙ্গসুন্দৰ মানুহ হব নোৱাৰা। নৈতিক আৰু শাৰীৰিক উন্নতিলৈ পিঠি দি অকল বুদ্ধিৰ উন্নতিৰ চেষ্টা কৰিলে এটা কিম্ভূতকিমাকাৰ মানুহ নামধাৰী প্ৰাণী হব পাৰা, সম্পূৰ্ণ মনুষ্যত্ব লভিব নোৱাৰা। অন্ধ-বিশ্বাসীজন ধৰ্ম্মোন্মত্ত "গাজী"ৰ শাৰীৰ বাহিৰে আন শাৰীলৈ যাব নোৱাৰে। একোটা ডাঙৰ ডকাইত বা চোৰৰ গাত চোকা বুদ্ধি আৰু বৰ শকতি আছে, কিন্তু নৈতিক আৰু চৰিত্ৰ বলৰ অভাৱত সি চোৰ-ডকাইতৰ শ্ৰেণীৰ পৰা ভাল মানুহৰ শাৰীলৈ উঠিব নোৱাৰে। ঈশ্বৰ-বিশ্বাসী, ধৰ্ম্মত আস্থাবান আৰু সুনীতিপৰায়ণ নোহোৱা, অকল ফুটবল, ক্ৰিকেট, বাইচিকোল আৰু মাল শ্ৰম আদিত মুৰ পুতি লাগি থকা আজিকালিৰ ডেকাসকলে এই কথা গমি চাই চলিব। ব্যায়াম চৰ্চ্চা অৱশ্যে ৰাখিব লাগে, কিন্তু নীতি-চৰিত্ৰ আৰু মনৰ উন্নতিক বলি নিদিয়াকৈ মুকুতা দলিয়াই পেলাই শোকোতালৈ হাত মেলাটো মূৰ্খতাৰ চিন। মুকুতা-শোকোতা কাকো নেপেলাবা। পূৰ্ণ মনুষ্যত্ব লভিবলৈ সেই এটাইবিলাক তোমাক লাগিব।

৩৬। বিধি বা নিয়ম উলঙ্ঘা কৰি কেতিয়াও নচলিবা ঃ

কি ৰজাৰ আইন, কি স্বাস্থ্য ৰক্ষাৰ নিয়ম, কি নৈসৰ্গিক বিধান, কি নৈতিক ব্যৱস্থা, কাকো অমান্য কৰি নচলিবা। বে-আইনী চলিলে শাস্তিৰ হাত কেতিয়াও এৰিব নোৱাৰা।

৩৭। মিছা গৰ্ব্ব নকৰিবা ঃ

মিছা গৰ্ব্ব কৰোঁতাজন পৰৰ চকুত হীন হয়। কি বেহা-বেপাৰৰ কথাত, কি তোমাৰ ক্ষমতাৰ

বিষয়ত, কি তুমি লেখা-পঢ়া বেছি জানা বুলি, কি তুমি দেখিবলৈ শুৱনি বুলি, কোনো কালে কেতিয়াও খচাই লোকৰ আগত কৈ গওপ নেমাৰিবা। ফাইদাং মাৰি ফুৰা লোকৰ চৰিত্ৰ ৰসাতললৈ যায়। সদাই নম্ৰ বিনয়ী হবাঁ। কাৰণ নিশ্চয় জানিবা, তুমি যি ক্ষমতা, বিদ্যা আৰু শাৰীৰিক সৌন্দৰ্য্যৰ নিমিত্তে গপত ওফন্দিছা, সেইবোৰ বিশ্বসংসাৰৰ জ্ঞান, ক্ষমতা আৰু সৌন্দৰ্য্যেৰে সৈতে তুলনাত বালিচাহিতকৈও লক্ষ্যগুণে সৰু, নগণ্য। যি নিজৰ মূৰ্খতা, শক্তি-হীনতা আৰু ক্ষুদ্ৰতা বুজে, সিয়েই জ্ঞানী। জ্ঞানী নিউটনে কৈ গৈছে, যে তেওঁ যি লিখিলে, যি জ্ঞান উপাৰ্জ্জন কৰিলে, সেইবোৰ কেৱল সাগৰৰ পাৰৰ শিলগুটি গোটোৱা মাথোন। কথাই কথাই ভাংকোপ মাৰি ফুৰা মানুহক লোকে অসাৰ বুলি জানে। "গৰ্ব্বং খৰ্ব্বতি সৰ্ব্বং"।

৩৮। আৰি নেমাৰিবা, জুৱা নেখেলিবা, চিঠি নেখেলিবা ঃ

তাচ, পাশা, ডবা আদি খেল কেতিয়াও আৰি মাৰি নেখেলিবা। ঘোঁৰা দৌৰ আদিত টকাৰ লোভ কৰি আৰি মৰা অন্যায় আৰু পাপৰ কাম জানিবা। দহ জনে কৰিছে, অমুক-তমুক নামজলা ডাঙৰ মানুহে আৰি মাৰি ধন জিকিছে, এনে আহি লৈ কেতিয়াও তুমি নচলিবা। যিটো বেয়া, সি সদায় বেয়া, তেহেঁলৈ তাক ডাঙৰ মানুহেই কৰক বা দিল্লীৰ পাটস্যাহেই কৰক। সদায় মনত ৰাখিবা, যি বস্তু বা যি টকা ঘটিব খোজা, তাৰ উচিত মূল্য, তোমাৰ খাটনিৰেই হওক বা ধুনপাকৰ ধনেৰেই হওক, তোমাৰ দেয়। উচিত বেচ নিদি পাবলৈ ইচ্ছা কৰা বস্তুৰে তোমাৰ হাত, মন, আৰু চৰিত্ৰত মহী সানি, সুৰুকা মাৰি পলাই যাবৰ খুব সম্ভৱ। ঘোৰদৌৰত বাজি মাৰি, বা আন প্ৰকাৰে জুৱা খেলি অনেক লোক সৰ্ব্বস্বান্ত হোৱা সকলোৰে দেখিছে। পাণ্ডৱে পাশা খেলি ৰাজ্য, ধন হেৰুৱাই লুৰ্ব্বুং-লুঠুং হৈ বনলৈ যোৱা কথা মহাভাৰত পঢ়োঁতাসকলৰ কোনে নেজানে?

৩৯। তুমি যিটো বিষয় নেজানা, বা এধাতুখৰীয়াকৈ জানা, তাক জানো বুলি কেতিয়াও লোকৰ আগত নকবা। তুমি যিটো অনুমান কৰিছা মাথোন, তাক ঠিক বুলি দঢ়াই বা ন দি কেতিয়াও নকবা ঃ

এনেকৈ চলা মানুহ কথায় কথায় লঘু হয়।

৪০। নিজৰ শক্তি আৰু দক্ষতা বুজি চলিবা ঃ

ভালেমান মানুহে এই নীতি নুবুজি চলি সমাজত হাঁহিয়াতৰ পাত্ৰ হয়।

৪১। পৰৰ মতামতৰ বিষয়ত সহনশীল হবা ঃ

তোমাৰ মতেৰে সৈতে কাৰো মত নিমিলিল বুলি সেই মত পাতলাই উৰাই নিদিবা, বা তেওঁৰ ওপৰত খং কৰি জলি পকি নুঠিবা। এইটো সদায় মনত ৰাখিবা যে তুমি তোমাৰ মতামত আনে শ্ৰদ্ধা কৰি শুনিবলৈ যেনেকৈ আশা কৰা, আনেও তেওঁৰ মতামতৰ বিষয়ত তোমাৰ পৰা তেনে আশা কৰে। আৰু এটা কথা মনত ৰাখিবা যে তোমাৰ মতামতৰ দোষ তোমাৰ চকুত নপৰিবও পাৰে। নিজৰ মতা-মত নিজৰ লৰা-ছোৱালীৰ নিচিনাকৈ নিজৰ চকুত সদায় সুন্দৰ যেন লাগে। তাৰ দোষ পৰৰ চকুত হে ভালকৈ পৰে। নিজৰ মতানুসাৰে বলেৰে পৰক চলাবলৈ যোৱাটোও ভয়ানক মূৰ্খতা। নিজৰ মত সাব্যস্ত প্ৰমাণ কৰি যুক্তি দেখুৱাই লোকক তালৈ আনিবলৈ চেষ্টা কৰাটোহে সজ লোকৰ কাম।

৪২। বন্ধু বাছি লোৱাত সাৱধান হবা ঃ

এই সংসাৰত প্ৰকৃত বন্ধু পোৱা বৰ টান। সুখে-দুখে মৰণে-জীৱনে সদায় সমসুখী, সমদুখী বন্ধু যি পায় সি হে ধনী, সি হে সুখীয়া। সুখৰ কালত তোমাক বেঢ়ি থাকিবলৈ পাচিয়ে পাচিয়ে বন্ধু বোলোৱা মানুহ পোৱা যায়। কিন্তু দুখৰ কালত, বিশেষকৈ তোমাৰ আৰ্থিক বেয়া হলে, কুলাৰ আগত পতান উৰাদি সেইবিলাক মিছাবন্ধু উৰি যায়। বন্ধু বাছি লোৱাত খুব সাৱধান নহলে ঠেকত পৰিব লাগে। ভাল বন্ধুৱে ভাল বাটলৈ আনে আৰু বেয়া বন্ধুৱে বেয়া বাটলৈ নিয়ে। সঁচা-মিছা বন্ধু চিনিবলৈ ভালেমান দিন লাগে। যাকে তাকে বন্ধু ভাবি ভুলকৈ আঁকোৱালি নধৰিবা।

৪৩। কুসঙ্গ পৰিত্যাগ কৰিবা ঃ

তুমি যিমান কি ভাল হোৱা, লগৰীয়াৰ দোষ-গুণে তোমাক পৰশিবই জানিবা। সেই দেখি শাস্ত্ৰত কৈছে "ত্যজ দুৰ্জ্জন সংসৰ্গং ভজ সাধু সমা-গমং"। ভাল মানুহ, ভাল কাম, ভাল কিতাপ, ভাল আলাপৰ লগ কেতিয়াও নেৰিবা। বেয়াৰ সৈতে কেতিয়াও সাঙোৰ নেখাবা।

৪৪। বিয়াৰ বিষয়ত সাৱধান হবা ঃ

যাক তোমাৰ জীৱনৰ চিৰসঙ্গী কৰিব লাগিব, তেনে তিৰোতাক শুৱিতে চাই-মেলি পৰীক্ষা কৰি

খিয়া কৰাবা। তিৰুতাক সহধৰ্ম্মিনী বোলে। তোমাৰ সহধৰ্ম্মিনী নামত যেনে কামতো তেনে হব লাগিব। তোমাৰ তিৰুতা তোমাৰ প্ৰকৃত বন্ধু। বন্ধু বাছি লোৱাতকৈও এই বিষয়ত বেছি সাৱধানতাৰ আৱশ্যক। বন্ধু বাছি লোৱাত ভুল হলে সেই মিছা বন্ধুক কাইলৈ এৰি পেলাব পাৰিবা, কিন্তু তোমাৰ তিৰুতাক লোৱাবা। তেওঁ তোমাৰ মৰণে-জীৱনে, আনকি পৰকালৰো লগৰীয়া। অকল দেখিবলৈ শুৱনী হলেই ছোৱালী বৈণী হবৰ উপযুক্ত হল এনে নেভাবিবা। ৰূপ দুদিনীয়া। স্বভাৱ-চৰিত্ৰ সুন্দৰ আৰু গুণৱতী সতী সাধ্বী হলেহে সেই বৈণী মানুহ আৰু দেৱতাৰ চকুত শুৱনী। সুন্দৰ মনমোহা গোলাপ ফুলটিৰ ভিতৰতো বিষাক্ত পোক অনেক সময়ত থকা দেখিবলৈ পোৱা যায়। যি বৈণী খঙাল, অসতী, আপোনপেটীয়া, অধৰ্মী, তেওঁ আপোনাৰ স্বামীৰ আৰু লক্ষ্মীৰ শান্তিময় ঘৰ ভাঙি ভাল ভাল কৰে। সেই ঘৰ "যথাৰণ্যং তথা গৃহং" হয়। স্বামী-স্ত্ৰীয়ে ঈশ্বৰক সাক্ষী কৰি বিয়াৰ সময়ত যি প্ৰতিজ্ঞা কৰে সেই প্ৰতিজ্ঞা মতে চলিলে বিবাহিত জীৱন নিশ্চয় সুখেৰে কাটিব জানিবা। "ওঁ যদেতদ্ হৃদয়ং তৱ তদস্তু হৃদয়ং মম। যদেতদ্ হৃদয়ং মম তদস্তু হৃদয়ং তৱ"। এই মূলমন্ত্ৰ কেতিয়াও নেপাহৰিবা। "ধৰ্ম্মে চ অৰ্থে চ কামে চ নাতিচৰিষ্যামি"—এই প্ৰতিজ্ঞা ভঙ্গ নকৰি স্বামীয়ে স্ত্ৰীৰে সৈতে ঘৰ কৰিলে অশান্তি সেই ঘৰমুৱা হব নোৱাৰে। চেঙেলীয়া বয়সত মানুহৰ মন কল্পনা-ৰাজ্যত ৰৰকৈ বলাই ফুৰে। কবিতা, নাট, নভেল আদিয়ে সেই মন চৰাইৰ ডোকাত পাখি লগায়। সেই সঙ্কট কালত দকৈ তং নকৰি কণা কামদেউৰ আগত আঠু লৈ ভালেমান ডেকাই বিয়াৰ নজনা-নুশুনা গাঁতত জাপ মাৰে। সেই কালত সেই বিপদত নপৰিবলৈ সাৱধান থকা উচিত। ভালেমান কবি, মহাকবিয়ে প্ৰথম দৃষ্টিৰ প্ৰথম প্ৰেমক চিৰস্থায়ী বুলি বৰ্ণাই গৈছে। জৰ্জ্জ ইলিয়টে কিন্তু তেওঁলোকৰ তেনে মত অগ্ৰাহ্য কৰি কয় যে খনিকৰে কি ৰাচৈয়ে কৰা প্ৰথম অৱস্থাৰ চিত্ৰ কি মূৰ্ত্তি যেতিয়া ভাল হোৱা প্ৰায় দেখা নেযায়, তেন্তে বহুদৰ্শিতা শূন্য ডেকা ডেকেৰীৰ প্ৰথম প্ৰেম-বিবাহ কেতিয়াও নিখুঁত হব নোৱাৰে।

পকা বয়সত ভাবিচিন্তি পৰীক্ষা কৰি কৰা বিয়াও কেতিয়াবা নিষ্ফল হোৱা দেখা যায়। তেনেস্থলত স্বামী-স্ত্ৰীয়ে তেওঁলোকৰ মন, স্বভাৱ আৰু চৰিত্ৰৰ অমিলক দন্দ-খৰিয়ালেৰে আৰু বেছিকৈ অমিল নকৰি তেওঁলোকৰ দুখ ঈশ্বৰৰ চৰণত জনাই স্বাৰ্থ বিসৰ্জ্জন কৰি জীৱন-যাপন কৰাৰ বাহিৰে আৰু উপায় নাই।

যি স্বামী স্ত্ৰীয়ে স্বাৰ্থ বলি দি সকু বৰ সকলো কথাতে মিতমাত কৰি চলে, সেই বিবাহিত জীৱন সুখীয়া নহৈ নেযায়।

৪৫। তোমাৰ চৰিত্ৰ নিৰ্ম্মল ৰাখিবা ঃ

কৃপণে যেনেকৈ ধন ৰাখি থহি থাকে, ৰজাই যেনেকৈ খাজানা-গাৰাজৰ দুৱাৰত ছিলৈ তৰোৱাল লোৱা দুৱৰী চিপাহী থৈ পহৰা দিয়ায়, সতীয়ে যেনেকৈ আপোন সতীত্ব নিৰ্ম্মল ৰাখিবলৈ প্ৰাণপণ কৰে, ধাৰ্ম্মিকে যেনেকৈ ধৰ্ম্মৰ পথৰ পৰা ভৰি নিপিচলাকৈ খুপি খুপি চলে, তুমিও সেইদৰে তোমাৰ চৰিত্ৰত চেকা লাগিব নিদিয়াকৈ তাক সাৱধানে ৰাখিবা। ধন, সম্মান, ক্ষমতা, পাৰ্থিৱ সুখ আদিতকৈও চৰিত্ৰৰ মূল্য বেছি। চৰিত্ৰ হেৰুৱালে তোমাৰ একো নেথাকে জানিবা। চৰিত্ৰহীন লোকৰ জীৱন বিফল। চৰিত্ৰহীন ৰজা, মন্ত্ৰী আৰু লাখপতিতকৈ চৰিত্ৰৱান ভিকহু ডালদৰিদ্ৰ বেছি ধনী, মানী আৰু ওখ জানিবা। এই পৃথিৱীত কত যোগ্য বুদ্ধিমান মানুহে চৰিত্ৰ হেৰুৱাই উন্নতি জখলাৰ ওপৰ খলপাৰ পৰা পিছলি ধুপুৰকৰে তলত পৰি ধ্বংস হৈছে, দেখিলে শোক লাগে। পাৰ্নেল, ডিল্কে, বলাঙ্গৰ আৰু হেক্টৰ মেক্‌ডনাল্ডৰ জীৱনৰ কি শোকলগা পৰিণাম? সাৱধান, ভাই সাৱধান, সদায় নিজৰ চৰিত্ৰক ফটিকৰ ধাৰ যেন নিৰ্ম্মল ৰাখিবা; তাৰ বাবে তোমাৰ আন সকলো যায়, সিও স্বীকাৰ্য্য। চৰিত্ৰ দিনেই অলপ আয়াসতে গঠিত নহয়। ৰোম সাম্ৰাজ্য একে দিনাই হোৱা নাছিল। চৰিত্ৰ গঠন প্ৰাণপণে যত্ন আৰু কঠোৰ সাধনাৰ ফল। এনে বহমূলীয়া বস্তু হেলাতে নেহেৰুৱাবা।

৪৬। তোমাৰ কাৰ্য্য আৰু জীৱন পূৰ্ণ বিশ্বাসৰ দ্বাৰাই পৰিচালিত কৰিবা ঃ

যি কাম কৰিবা, বা যেনেকৈ নিজক চলাবা, তাৰ সত্যতাৰ বিষয়ে তোমাৰ সম্পূৰ্ণ বিশ্বাস থকা উচিত। যদি জানা বা তোমাৰ মনত সন্দেহ ওপজে যে, সেই কামৰ ভেঁটি সত্যৰ ওপৰত নহয়, আৰু তুমি চলা বাটটো তোমাৰ ভ্ৰম সংস্কাৰৰ ফল, তেতিয়াই তাক কটা-ছিঙাকৈ এৰিবা। বাইজে চকু মুদিছে বুলি মন বুজিও চকু মুদাটো ঠিক নহয়। দহজনে এটা ভুল বাটেদি গৈছে বুলি তুমিও জানি-শুনি ভুল বাটেদি যাব লাগিব, এনে নহয়। মনৰ স্বাধীনতাক কেতিয়াও লোকৰ নিন্দাৰ ভয়ত বলি নিদিবা। কুসংস্কাৰৰ বাটত অলেখ যাত্ৰী পোৱা যায় বুলি সিঁহতৰ পিছ নধৰিবা। লক্ষ লোকৰ চকুত নপৰা ভুল কেতিয়াবা এজন লোকৰ চকত পৰা দেখা

গৈছে। এনেকুৱা প্ৰায় দেখা যায় যে কোনো ভ্ৰম সংস্কাৰৰ অসাৰত্ব অনেক লোকে বুজিব পাৰিও এলাহৰ বশৱৰ্ত্তী হৈ বা লোকৰ বিৰাগৰ পাত্ৰ হবৰ ভয় কৰি বা আন কোনো অসুবিধাত পৰিম বুলি ভাবি সেই বাটেদি চকু মুদি চলে। এনে কাপুৰুষ লোকৰ জীৱন অসাৰ, পলসুৱা আৰু ঘৃণাৰ পাত্ৰ জানিবা। সংসাৰত সাহিয়াল হৈ ভ্ৰম-পূৰ্ণ বাট এৰি তোমাৰ মানৱী জনম সফল কৰিবা। ঈশ্বৰৰ ৰাজ্যত তুমি এজন জ্ঞান বিবেক থকা ন্যায়-অন্যায় বুজিব পৰা আৰু দায়িত্ব থকা সুকীয়া মানুহ, আনৰ গৰু নহয়। গেলিলিও, চক্ৰেটীচ, বুদ্ধ, নানক, চৈতন্য, শঙ্কৰদেৱ আদিৰ জীৱন চৰিত্ৰ পঢ়ি এই কথাৰ সত্যতা হৃদয়ঙ্গম কৰিবা।

অৱশ্যে তোমাৰ মত সঁচা আৰু আনৰ মত মিছা এনে ধাৰণা জ্ঞান-যুক্তিৰ দ্বাৰাই তোমাৰ মনত ঠাই পালে তেওঁক পাৰ্যমানে যুক্তি-তৰ্ক আৰু উপদেশৰ দ্বাৰাই তোমাৰ বাটলৈ আনিবলৈ চেষ্টা কৰিবা, কিন্তু নিন্দা, পেংলাই, তুচ্ছ-তাচ্ছিল্য নাইবা কঠোৰ ব্যৱহাৰ কৰি বা বলেৰে নহয়। পৰৰ মত, পৰৰ বিশ্বাস ভুল বুলি বুজিলেও তেওঁলোকৰ যুক্তি তৰ্কত আস্থা দেখুৱাবা। লোকে যেনেকৈ তোমাৰ মতত বা বিশ্বাসত আস্থা দেখুৱাবলৈ তুমি আশা কৰা, পৰেও সেইদৰে তোমাৰপৰা তেনে আশা কৰে, এইটো নেপাহৰিবা। আৰু এইটোও পাহৰিব নেলাগে, যে কিজানি চালনীৰে চালি জুলাৰে জাৰি আনেও তোমাৰ মতত তোমাৰ চকুত নপৰা ভুলৰ তুঁহ-পতান উলিয়াব পাৰে। তোমাৰ মনৰ দুৱাৰ সদায় মুকলি কৰি থবা। কাৰণ লোকে তোমাৰ মত আৰু বিশ্বাস অসাৰ্থক প্ৰমাণ কৰিব পাৰিলে, ততালিকে সেই অসাৰ্থক মত আৰু বিশ্বাস দলিয়াই পেলাই তাৰ ঠাইত লোকৰ সাৰ্থক মতক ঠাই দিব লাগিব। নতুবা তুমি কণা, মিছা অহঙ্কাৰী আৰু ভয়াতুৰৰ শাৰীলৈ নেনামি নোৱাৰা। লোকৰ কুসংস্কাৰ গুচাবলৈ গৈ নিজে সাজি লোৱা কুসংস্কাৰৰ লেটাৰ ভিতৰত বান্ধ খোৱাটো মূৰ্খত।

৪৭। সকলো মানুহক সন্মান আৰু শ্ৰদ্ধা কৰিবা ঃ

তোমাৰ একে শাৰীৰ একে জাতৰে হওক বা তোমাতকৈ নীহ শাৰীৰ জাতৰে হওক বা ওখ জাতৰে হওক, সকলোকে তেওঁৰ প্ৰাপ্য সন্মান দিবা আৰু শ্ৰদ্ধা কৰিবা। কি ইংৰাজ, কি বঙ্গালী, কি হিন্দুস্থানী, কি মহাৰাষ্ট্ৰী, কি অসমীয়া, কি ধনী, কি দুখীয়া, কি ৰজা, কি প্ৰজা, সকলোকে পৰমেশ্বৰৰ সন্তান, তোমাৰ ভাই-ককাই বুলি শ্ৰদ্ধা সন্মান কৰিবা। কাকো আপোনাতকৈ নীহ বুলি ঘিণ নকৰিবা। অমুক ধনী, অমুক ডাঙৰ ঘৰৰ, অমুক বৰফুকন, বৰবৰুৱাৰ ঘৰৰ হাকিম, অমুক বৰচাহাব, অমুক ৰাজবংশী আৰু তমুক কাঁড়ীৰ ঘৰৰ, তমুক কেৰাণী, তমক মহৰী, তমুক ভিকহু বুলি তোমাৰ আন্তৰিক শ্ৰদ্ধাৰ তাৰতম্য নকৰিবা। পাটৰ চুৰীয়া আৰু কিংখাপৰ চোলাৰ তলত বা হেট কোট পটলুঙৰ ঢাকনিৰ ভিতৰত নাইবা বগা চাল আৰু ডাঙৰ পদ ডাঙৰ নামৰ তলতো বৌ বৌ নৰকৰ কুণ্ড থাকে; আৰু ফটা কঁথা, ফটা চুৰীয়া আৰু কলা ছালেৰে ঢাকি থোৱা ভিকহুৰ দেহৰ ভিতৰতো স্বৰ্গৰ পবিত্ৰতা আৰু মনৰ উচ্চতা সোণ জলাদি জলি থাকে জানিবা।

৪৮। সদাই মিঠামুৱা আৰু বিনয়ী হবা ঃ

মিঠা কথাই শত্ৰুক মিত্ৰ কৰে আৰু মিত্ৰক বন্ধুভাৱ ডোলেৰে কট্‌কটীয়াকৈ বান্ধে। কটুৱা বেঙেৰামুৱা মানুহক সকলোৱে ঘিণ কৰে। অনেক ওখ শাৰীৰ মানুহৰ হৃদয় কোমল থকা সত্বেও ওপৰত কোৱা দোষ থকা বাবে তেওঁলোকক মানুহে দূৰতে পৰিহাৰ কৰে। বিশেষকৈ বেহা বেপাৰত সোমোৱা-সকলে এই গুণটিৰ পৰা বঞ্চিত নহবলৈ নথৈ যতন কৰা উচিত। ই ব্যৱসায়ত অপৰিহাৰ্য্য। মিঠা কথাত ৰিত ভগন নহয়। তেন্তে হেৰা বেপাৰী! কিয় তুমি লোকক মিঠা কথা নকৈ বেজাৰ দি তোমাৰ নামত কহ তুলি লাভৰ বাটত হেঙাৰ দিবা? পৰক কেৰ্‌কেৰীয়া কথা কবৰ অধিকাৰ তোমাৰ কেতিয়াও নাই, জানিবা। সদায় তোমাৰ কথাৰ মুখৰ পৰা লেকাম নুগুচাবা। "কথাতে কটা যায়, কথাতে বঁটা পায়" বুলি কয়। যি নিজৰ জিভাক বশলৈ আনিছে তেওঁৰ অদৃষ্টত বিপদৰ বোজা পাতল।

"বিদ্যা দদাতি বিনয়ং বিনয়াদ্‌যাতি পাত্ৰতাং।
পাত্ৰতাৎ ধনমাপ্নোতি ধনাৎ ধৰ্ম্মং ততঃসুখং"।

৪৯। কু চিন্তাক কোনোকালে মনত ঠাই নিদিবা ঃ

কু চিন্তা কু ভাৱ মাৰ্খৰ নিচিনা। সি মনত ঠাই পালে লাহে লাহে তাক লেখাই লেৰে। তোমাৰ মন যিমানেই টান আৰু অটল হওক, যেন ভাৱনা-চিন্তাৰ হেন্দোলনিয়ে তাক অলপ নহয় অলপকৈ কোমলাব আৰু টলাবই। এহেজাৰৰ মাজত কাচিৎ এজন মহাবীৰেহে যদি তেনে হেন্দোলনিত নিজৰ মনক থিৰ ৰাখিব পাৰে। সেই দেখি শাস্ত্ৰত সাধুসকলে কুভাৱ মনলৈ অনাটোকেই পাপ বুলি বিহি "কায়-মনোবাক্যে" নিৰ্ম্মল থাকিবৰ ব্যৱস্থা কৰি গৈছে।

৫০। ঈশ্বৰ বিশ্বাসী হওঁ ঃ

ঈশ্বৰত বিশ্বাস স্থাপন কৰি সুখ-দুখ সম্পদ বিপদ সকলো তেওঁৰ চৰণত সমৰ্পণ কৰি কৰ্ত্তব্য কাম কৰি চলা মানুহৰ মনত শান্তি আৰু সুখে নিগাজীকৈ বাহ লয়। ঈশ্বৰত অবিশ্বাসী নাস্তিক বা সংশয়বাদীসকলৰ মন অসুখ অশান্তিয়ে অধিকাৰ কৰে। ঈশ্বৰত বিশ্বাস কৰোঁতাজনৰ বুকু ভয়ত নকঁপে ; বিপদত ডাঠ হয় ; কাৰণ তেওঁ জানে তেওঁৰ প্ৰধান সহায় পৰমেশ্বৰে তেওঁক সেই বিপদৰ পৰা উদ্ধাৰ কৰিবই। অবিশ্বাসী জনৰ সঙ্কত কালত নিৰ্ভৰ কৰিবলৈ কোনো নাই ; তেওঁ নিজক সদায় আশ্ৰয়হীন, নিঠৰুৱা ভাবে ; আৰু ভয়ে তেওঁক বৰকৈ পীড়ে। ঈশ্বৰবিশ্বাসী জনে সদায় মনত ভাবে যে আজিৰ এই অন্যায়-অত্যাচাৰৰ প্ৰতিকাৰ কাইলৈ ঈশ্বৰে কৰিবই ; আৰু ইহলোকত নহলেও পৰলোকত ইয়াৰ বিচাৰ হবই। কিন্তু নাস্তিক আৰু সংশয়বাদীৰ ভৱিষ্যত এন্ধাৰ, ভয় আৰু অশান্তিৰে ভৰা ; কাৰণ তেওঁৰ পক্ষে সেই অন্যায় অবিচাৰৰ প্ৰতিকাৰ লভিবৰ আশা কৰি "আপিল" কৰিবলৈ ন্যায়বান পৰমেশ্বৰৰ "হাইকোৰ্ট" বা "প্ৰিভিকাউন্সিল" নাই।

ঈশ্বৰত অবিশ্বাস কৰিবৰে বা তুমি কোন ? তুমি কীটানুকীট। এই সংসাৰত তোমাৰ জ্ঞান, বিদ্যা বুদ্ধিৰ মোল খোলাকুটিতকৈও তাকৰ। তাৰ আকৃতি এটা বালিচাঁহীতকৈও কোটি গুণে ক্ষুদ্ৰ। তুমি কি জানা ? তোমাৰ জ্ঞানৰ দীঘল-পুতলেই বা কি ? দুবৰিবনৰ পাত এটা কি বস্তু, এটা ধূলিৰ কণা কেনেকৈ হ'ল, তুমি কব নোৱাৰা ; অথচ তুমি হাঁহি উঠা গওপ মাৰি ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে তৰ্ক কৰিবলৈ যোৱা। এটা বুদ্ধিমান গুৰি পৰুৱাই তোমাৰ বিষয়ে কি জানে তুমি কব পাৰানে ? ঈশ্বৰৰ বিষয়ে তোমাৰ মত আৰু জ্ঞান সেই গুৰি পৰুৱাতকৈও লক্ষ গুণে কম নহয় নে ? অৱশ্যে ঈশ্বৰ আছে, আৰু তেওঁ পিতৃ-মাতৃৰ দৰে সদায় তোমাক আবৰি আছে, সেই কেৱা অনুভৱ কৰিব পৰা শকতি তোমাৰ নিশ্চয় আছে। পানীকেঁচুৱা লৰাই যেনেকৈ মাকৰ কোলাত শুই আৰু পিয়াহ খাই-নিজ মাকৰ অস্তিত্ব অনুভৱ কৰিব পাৰে, অথচ মাকৰ বিদ্যা-বুদ্ধি দীঘল-পুতল শাৰীৰিক-মানসিক আদি ক্ষমতাৰ বিষয়ে একো ধাৰণা কৰিব নোৱাৰে। আমাৰো ঈশ্বৰৰ সম্পৰ্কে লভা জ্ঞান তেনেকুৱা।

বেদ, পুৰাণ, কোৰাণ, বাইবেল, ন্যায়, দৰ্শন পঢ়িলেহে তুমি ঈশ্বৰক পাবা বুলি নেভাবিবা। সহজ জ্ঞানবিশ্বাসে তোমাক ঈশ্বৰক দিব। তৰ্ক কৰি বা বক্তৃতাৰে ন'বাক মাকৰ অস্তিত্ব বুজাবৰ সকাম নহয়। তৰ্ক আৰু শাস্ত্ৰ ধুমহা-বতাহে ঈশ্বৰৰ ওচৰৰ পৰা অনেক সময়ত মানুহক উৰাই নি চাকনৈয়াতহে পেলায়। "তৰ্ক শাস্ত্ৰ মহা ব্যাধি"। সহজ বিশ্বাসী সন্তানে উজু আৰু চুটি বাটেদি অকলে-কতে পৰমপিতা পৰমেশ্বৰক পায়। আৰু শাস্ত্ৰৰ হাবিৰ সুৰুঙ্গীয়া বাটেদি যোৱা সকলক প্ৰথমতে পকুৱাই পাই ভাগৰাই নগুৰ-নাগতি কৰে, আৰু শেহত অতি কষ্টেৰে আহি ঈশ্বৰৰ কাষ তেওঁলোকৰ কোনোৱে কাচিৎ চাপিব পাৰিলেও সৰহ ভাগে বাটতে ভাগৰ লাগি পৰি প্ৰাণ হেৰুৱায়। শাস্ত্ৰাভিমানী পণ্ডিত বোলোৱাসকলৰ ঈশ্বৰ লাভ দুঃসাধ্য। খ্ৰীষ্ট, নানক, মহম্মদ, ৰামকৃষ্ণ পৰমহংসৰ কাহানো শাস্ত্ৰবিদ্যাৰ মেটমৰা ভাৰ নাছিল জানিবা।

তুমি ঈশ্বৰত বিশ্বাস স্থাপন নকৰিলে ঈশ্বৰৰ যে কিবা হানি হব, বা সেই বাবে তেওঁ তোমাৰ ওপৰত খং কৰি হোৰ তুলিব এনে নহয়।

তেওঁ "প্ৰশান্ত পুৰুষ আনন্দময়"। তেওঁ তোমাৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ অজ্ঞতাৰ খবৰ নলয়। সেই বাবে হানি তোমাৰহে। তুমি তোমাৰ আই-বোপাইৰ কৰুণা-ডোকাৰ তলৰ পৰা আঁতৰি থাকি বতাহবৰষুণ আৰু শিলাবৃষ্টি গাত পেলাই আপুনিহে ধ্বংস হবা।

হে বন্ধুসকল! তোমালোকে ঈশ্বৰত বিশ্বাস স্থাপন কৰি তেওঁৰ ওপৰত নিৰ্ভৰ কৰি তোমালোকৰ কৰ্ত্তব্য কৰি যোৱা ; দেখিবা তোমালোকৰ উন্নতি নিশ্চিত, মন নিৰুদ্বেগ আৰু প্ৰশান্ত।

ঈশ্বৰৰ ৰাজ্যত কেতিয়াও অন্যায়ৰ শাস্তি নোহোৱাকৈ নেথাকে। অন্যায়-অবিচাৰৰ শোচনীয় পৰিণাম আছেই। ন্যায়ে মুৰকত জয়-পতাকা হাতত লৈ দুন্দুভি বজাই আহিবই জানিবা।

ঈশ্বৰৰ এই সুন্দৰৰ জগৎ অন্ধ নিয়মৰ দ্বাৰাই পৰিচালিত হোৱা নাই জানিবা। মানুহে "আৰ্জ্জোনৰ ফল ভুঞ্জে" ; সত কামৰ সত ফল আৰু বেয়া কামৰ বেয়া ফল আছেই। মানুহ এই পৃথিৱীত বাপেক-মাক নাইকিয়া মাউৰা ন'বা নহয় ; আমাৰ আই-বোপাই পৰমেশ্বৰৰ কৰুণাৰ চকু সদায় আমাৰ ওপৰত আছে, থিৰাং জানিবা।

[illegible] মাতৃদেবী

বৰজীয়ৰী সুৰভিৰে সৈতে বেজবৰুৱা

সহধৰ্মিনী প্ৰজ্ঞাসুন্দৰী দেবীৰ লগত বেজবৰুৱা

'দেতবব্‌বা' প বযাল

[illegible]

গুৱাহাটী আর্ল ল কলেজৰ ছাত্ৰসকলৰ লগত

(১৯৩১ খৃঃ)

চকীত বহি ‘বাওঁফালৰ পৰা’ ৰমেশচন্দ্ৰ দাস তীর্থনাথ ফুকন প্রিন্সিপাল জ্ঞে বৰুৱা কমলকান্ত ভট্টাচার্য্য প্রজ্ঞা সুন্দৰী দেবী বেজবৰুৱা শ্ৰীমতী কৃষ্ণা বৰুৱা চন্দ্ৰ কুমাৰ আগৰৱালা নবীন চন্দ্ৰ বৰদলৈ